Centre for Studies in Social Sciences, Calcutta

Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

Record No: 2006/ 11	Language of work: Assamese
Author (s) / Editor (s): Dinanath Saemah	
Title: আবাহন	
Transliterated Title: ~~Title~~ Ābāhana	
Translated Title: Monthly Magazine	
Place of Publication: Calcutta (Kolkata)	Publisher: Editor
Year: 1930 (1852 Saka)	Edition:
Size: 24 cms	Genre:
Volumes: vol-2 (1930 [1852 Saka]) vol-3 (1931 [1853 Saka]) vol-4 (1932 [1854 Saka]) vol-5 - (1932 [1855 Saka]) vol-6 (1933 [1886 Saka])	Condition of the original: ~~Not bad~~. Brittle.
~~Remarks~~: vol-7 (1933 [1887]) vol-9 - (1936 [1888 Saka]) vol-10 (1937 [1889 Saka]) vol-11 (1938 [1890 Saka]) ~~vol-32~~	
The magazine was first published in 1929 and continued for more than 40 years. Before 1950 upto vol.11 are available here.	
Holding institute: Assam Sahitya Sabha, Jorhat	Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006.

Microfilm Roll No:	From gate:	To gate:

Lalila

আরাহন



৬ষ্ঠ বছর—১ম ভাগ

কার্ত্তিক—চৈত্র

১৮৫৬ শক

সম্পাদক—ডাঃ শ্রীদীননাথ শর্ম্মা

সূচী

১ম সংখ্যা

বিষয়	পিষ্ঠি
পৃথিবীর সৃষ্টি যজ্ঞ—শ্রীযুত তীর্থনাথ শর্ম্মা বি-এ	১
[illegible] গল্প)—শ্রীযুতা বীণা বরুৱা	৫
[illegible]বে বিলাত যাত্রা—'বীক'	১৬
[illegible]করীর ভাবর বুৰুঁবণি—কৃপাবর বরুৱা (কবিতা)—	২৬
[illegible]ত বিনন্দচন্দ্র বরুৱা বি-এ	৩০
স্বরলি	৩১
[illegible] গল্প)—শ্রীযুতা লীলা দেৱী বি-এ	৩৩
কামরূপর তীর্থ বিবরণ—	
[illegible]দ বাহাদুর শ্রীযুত আনন্দচন্দ্র আগৱরালা	৩৭
ভক্তিৰ্গ—শ্রীযুত লক্ষ্মীনাথ বেজ বরুৱা	৪৪
কমখ্যাতীর্থ—পণ্ডিত শ্রীযুত কামাখ্যাচরণ ভট্টাচার্য্য	৪৭
[illegible]ৱী (চিত্র) শ্রীযুত উমেশ চন্দ্র চৌধাৱী বি-এল	৪৯
[illegible]ৰেশ বোজাল্ল (গল্প)—শ্রীযুত ৱমা দাশ বি-এ	৪৯
[illegible]ৰ পাত (কবিতা)—শ্রীযুত দেৱকান্ত বরুৱা	৫৭
[illegible]ৌজাতিক জগত	৫৮
[illegible]চিত্র	
[illegible]ৱাণ (গল্প) —শ্রীযুত কৃষ্ণ ভূঞা	৬০
[illegible]নসাধারণিক শিক্ষা—	
শ্রীযুত জিতেন্দ্রনাথ বজৱবরুৱা বি-এ	৫৬
[illegible]ৰিকা (গল্প)—শ্রীযুত দীননাথ শর্ম্মা	৭১
[illegible]লাগত এসপ্তাহ—শ্রীযুত জ্যোতিস চন্দ্র দাস	৭৪
[illegible]ৰিছবি (গল্প)—শ্রীযুত তাৱকচন্দ্র শর্ম্মা	৮০
[illegible]ৰ পৃথিবীত থকা মানুহৰ ওপৰত তাৰ প্রভাৱ—	
[illegible]কৃষ্ণদত্ত হাজৱিকা বি-এচ-ছি	৮৬
[illegible]ৰেশ্বৰ শর্ম্মা বি-এল	৮৭
[illegible] (গল্প)—	
[illegible]কুমাৰ দাস বি-এচ-চি	৮৯

বিষয়	পিষ্ঠি
বিশ্ব-প্রৱাহ	৯৪
শকুন্তলা—	
শ্রীযুত বিপিনচন্দ্র গোস্বামী বেদ-ব্যাকৰণ কাব্যতীর্থ	৯৭
মায়া (কথা)—শ্রীযুত শৱচ্চন্দ্র নাথ	১০৩
শিৱসাগৰ মহকুমাত থকা কেইটামান পুৰণি পুখুৰী	
শ্রীযুত শ্রীৰামচন্দ্র দাস	১০৪
ছদ্মবেশী (উপন্যাস)—শ্রীযুত শান্তিৰাম দাস বি-টি	১০৬
অসম শক্তি মেলা	১১২
আহাৰ আৰু ভিটামিন—	
ডাঃ শ্রীযুত দেৱেন্দ্রচন্দ্র চাং কাকতী	১১৫
বিহগী (কবিতা)—শ্রীযুতা নলিনী বালা দেৱী	১২১
চতুর্দ্দশ অসম সাহিত্য সভা আৰু অভিনন্দন—	
শ্রীযুত ডিম্বেশ্বৰ নেওগ বি-এচ-চি বি-এ	১২২
স্বর্ণলতা (কবিতা) —	
শ্রীযুত অতুলচন্দ্র হাজৱিকা বি-এ	১২৬
মহিলা জগত	১২৮

২য় সংখ্যা

ভাৱতীয় সাহিত্যৰ বিস্তৃতি আৰু গুৰুত্ব—	
শ্রীযুত সোণাৰাম চৌধুৰী	১২৯
কৃপাবর বরুৱাৰ ভাৱৰ বুৰুঁবণি—কৃপাবর	১৩৪
বাবু চোৰ (গল্প)—শ্রীযুত মোহন লাল চৌধুৰী	১৩৭
প্রাচীন কামৰূপ ৰাজ্যৰ অন্ধ্রযুগৰ ৰজা আৰু ৰাজৱংশ—	
শ্রীযুত হৰি নাৰায়ণ দত্তবরুৱা	১৪১
বিমান পথেৰে বিলাত যাত্রা—বীক	১৫৬
সঙ্গীত—শ্রীযুত ধর্ম্মনাথ শাস্ত্রি কাব্য ব্যাকৰণ তীর্থ	১৬১
পতিতা নে— (গল্প) —	
শ্রীযুত মৈলোকানাথ গোস্বামী এম-এ	১৬৫
উদ্ভিদ আৰু প্রাণীজগতৰ সম্বন্ধ—	
শ্রীযুত মাধৱ চন্দ্র দাস এম-এচ চি	১৭০

বিষয়	পিঠি
ভাগ বাটোৱাৰা (গল্প)	
শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী	১৭৭
ভক্তিমাৰ্গ—শ্ৰীযুত লক্ষ্মীনাথ বেজ বৰুৱা	১৮৭
কিশোৰী (কবিতা)—	
শ্ৰীযুত সুৰেন্দ্ৰ নাথ বৰুৱা বি-এ	১৯০
বৈজ্ঞানিক জগত	১৯১
ওপৰঞ্চি লাভ (গল্প)—শ্ৰীযুত নকুল চন্দ্ৰ ভূঞা	১৯৩
ধম্মপদ—শ্ৰীযুত উপেন্দ্ৰ চন্দ্ৰ লেখাৰু	১৯৯
ভাৰতীয় অৱতাৰবাদৰ অভিব্যক্তি—মিঃ এছ ছি ৰায় এম-এ (অক্সফোৰ্ড) আই ই-এচ; অধ্যক্ষ, কটন কলেজ	২০১
তাজমহল (গল্প)—শ্ৰীযুত যুগল কুমাৰ দাস	২০৪
বম্বে কংগ্ৰেছ—শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱা, বি-এ	২০৬
তৰুণী—(গল্প) শ্ৰীযুত প্ৰভাত চন্দ্ৰ অধিকাৰী	২১৮
বিশ্ব-প্ৰৱাহ	২২২
বিবিধ	২২৪
ছদ্মবেশী (উপন্যাস) শ্ৰীযুত শান্তিৰাম দাস বি-টি	২২৫
টোকাৰীৰ প্ৰতি (কবিতা)—	
এম ইক্ৰাম আলি হাজৰিকা	২৩৩
দ্ৰাবিড় দেশত চাৰিমাহ—	
শ্ৰীযুত মাধৱচন্দ্ৰ বেজ বৰুৱা বি-এ	২৩৪
শৰাই ঘাট (গীত)—	
শ্ৰীযুত উমেশ চন্দ্ৰ চৌধাৰী বি-এল	২৩৯
অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ—	
ৰায়বাহাদুৰ শ্ৰীযুত আনন্দ চন্দ আগৰৱালা	২৪০
মহিলা জগত	২৪৭
সমালোচনা	২৪৮

৩য় সংখ্যা

বিষয়	পিঠি
অপেক্ষা (কবিতা)	
—শ্ৰীযুত শৈলধৰ ৰাজখোৱা বি-এ	২৪৯
বেদ তথ্য আৰু তত্ত্ব—শ্ৰীযুত কমলা কান্ত ভট্টাচাৰ্য্য	২৫০
ভক্তি মাৰ্গ—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	২৫৪
কল্যাণী (গল্প)—শ্ৰীযুত গোবিন্দৰাম দাস বি-এ	২৫৭
ৰাস তত্ত্ব—শ্ৰীযুত প্ৰভাতচন্দ্ৰ শ্ৰুতিকৰ বি-এ	২৬৩
মঙ্গোল জাতি—শ্ৰীযুত সোণাৰাম চৌধুৰী	২৬৫
কামাখ্যা তী	
—পতি শ্ৰীযুত কামাখ্যা চৰণ ভট্টাচ	
মানস প্ৰতি [কবিতা]	
এম, ইাম আলি হাজৰিকা	
বিমান পথে বিলাত যাত্ৰা—বীৰু	
সংৰক্ষিণী ভাৰ মঙ্গলদৈত বহা বিশে	
সভাপতি অভিভাষণ	
শ্ৰীযুত প্ৰমথ নাথ চক্ৰচৰ্ত্তী বি-এল	
ছদ্মবেশী উপন্যাস)	
—যুত শান্তিৰাম দাস বি-টি	
সেতু বন্ধামেশ্বৰম	
—যুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ	২৯০
ভাষা, সহিত্য আৰু সমাজ	
—লবী মহম্মদ মুহিবুল্লা বি-এ	২৯৬
সাম্য স্বাধীনতাৰ আগদূত	
—যুত দেৱেন্দ্ৰ নাথ শৰ্ম্মা	৩০১
কৃপাবৰ বৰুৱাৰ ভাৱৰ বুৰ্বুৰণি—কৃপাবৰ	৩০৮
বৈজ্ঞানিক জগত	৩১১
তোমালৈ—৺ভগৱতী প্ৰসাদ বৰুৱা	৩১২
সময় অতী (গল্প)	
—শ্ৰীত বিষ্ণু চৰণ বৰা বি-এল	৩১৩
গীতানুসৰ—শ্ৰীযুত ধীৰেশ্বৰ ভট্টাচাৰ্য্য—	৩২৪
বেদনাৰ ত (গল্প)—শ্ৰীযুত কৃষ্ণ ভূঞা—	
দুদিনৰ ভ—শ্ৰীযুত শ্ৰীৰাম চন্দ্ৰ দাস—	৩৩০
মিচিকীয়া হি (কবিতা)	
—শ্ৰী বিনন্দ চন্দ্ৰ বৰুৱা বি-এ	৩৩৭
অসমত শ মেলা—শ্ৰীযুত চন্দ্ৰকান্ত বৰুৱা	৩৩৮
বিশ্বপ্ৰৱাহ	৩৪০
বিবিধ	৩৪৩
তুমি নবুজি সখী (কবিতা)	
—শ্ৰীযুদেৱকান্ত বৰুৱা	৩৪৭
অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষ	
—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দ চন্দ্ৰ আগ	

বিষয়	পিঠি
ভোজনৰ ফেশ্যন	
—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী	৩৬৪
কলিকতাত মাঘ বিহু	৩৬৬
৺ভগৱতী প্ৰসাদ (কবিতা)	
—শ্ৰীযুত ৰত্নকান্ত বৰকাকতী	৩৬৭
মহিলা জগত	৩৬৮

৪ৰ্থ সংখ্যা

বিষয়	পিঠি
পঞ্চ প্ৰদীপ—শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি-এ, বি-টি	৩৬৯
ভক্তিমাৰ্গ—শ্ৰীযুত লক্ষ্মী নাথ বেজবৰুৱা	৩৭৭
ওঁ শান্তি (গল্প)—শ্ৰীযুতা লীলা দেৱী বি-এ,	
শ্ৰীযুতা উষাদেৱী বি-এ,	৩৮১
দাক্ষিণাত্যৰ মথুৰা মাদুৰা নগৰৰ ইতিবৃত্ত	
—শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা বি-এ	৩৮১
ৰূপ-জ্যোতি(কবিতা)—শ্ৰীযুত গণেশ চন্দ্ৰ গগৈ	৩৯৭
ধৰ্ম্মপদ—শ্ৰীযুত উপেন্দ্ৰ চন্দ্ৰ লেখাৰু	৩৯৮
স্বৰলিপি	৪০০
সম্প্ৰদান (গল্প)- শ্ৰীযুত প্ৰসন্নলাল চৌধুৰী বি-এ	৪০১
চেনেহী আই অসমা (গীত)	
শ্ৰীযুত উমেশ চন্দ্ৰ চৌধুৰী বি-এল	৪০৮
ছদ্মবেশী (উপন্যাস)	
—শ্ৰীযুত শান্তি ৰাম দাস বি-টি	৪০৯
বিমান পথেৰে বিলাত যাত্ৰা—বীৰু	৪১৬
বিশ্বনাথ সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ	
সভাপতিৰ অভিভাষণ—শ্ৰীযুত মহাদেৱ শৰ্ম্মা	৪২৬
বৈজ্ঞানিক জগত	৪৩১
সময়ত অতীত (গল্প)	
—শ্ৰীযুত বিষ্ণু চৰণ বৰা বি-এল,	৪৩৩
নগাওঁৰ অতীত বুৰঞ্জী	
শ্ৰীযুত আনন্দ ৰাম গোহাঁই বি-এ,	৪৪৫
চুইজাৰল্যাণ্ডৰ শ্ৰমিক আন্দোলন	
—শ্ৰীযুত হৰেকৃষ্ণ গোস্বামী	৪৪৯
জননী (গল্প)—শ্ৰীযুত মোহনলাল চৌধুৰী	৪৫০
কামৰূপৰ তীৰ্থ বিবৰণ	
—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দ চন্দ্ৰ আগৰৱালা	৪৫৪
বিশ্ব প্ৰৱাহ	৪৫৮
বসন্ত—শ্ৰীযুত কামাখ্যা প্ৰসাদ ত্ৰিপাঠি এম-এ	৪৬০
বিবিধ—	৪৬৪
সৌন্দৰ্য্য—৺ভগৱতী প্ৰসাদ বৰুৱা	৪৬৫
ৰুদ্ৰ সিংহ ৰজা নিৰক্ষৰ আছিলনে	
—শ্ৰীযুত নলিনী কুমাৰ মিশ্ৰ বি-এ	৪৬৭
ৰাজ মহল পাহাৰ আৰু তাৰ দাঁতি কাষৰীয়া চাওঁতাল জাতি	
শ্ৰীযুত হৰেন্দ্ৰ নাথ কলিতা	৪৭১
শ্ৰীশ্ৰী সৰস্বতীশ্ৰী—যুত হৰি চন্দ্ৰ চট্টাচাৰ্য্য বি-এ	৪৭৬
নাট্য জগতত ভুমুকি—নটৰাজ	৪৮১
বসন্ত আগমনী—শ্ৰীযুত যোগেন্দ্ৰ নাথ বৰদলৈ	৪৮৫
মহিলা জগত	৪৮৭
সমালোচনা	৪৮৭

৫ম সংখ্যা

বিষয়	পিঠি
পঞ্চ প্ৰদীপ—শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি-এ, বি-টি	৪৮৯
লাভ-লোকচান—শ্ৰীযুত মহীন্দ্ৰ চন্দ্ৰ বৰা, বি-এল	৪৮৬
গড়গাওঁ—শ্ৰীযুত হৰিচন্দ্ৰ ভট্টাচাৰ্য্য বি-এ	৫০৭
ভাৰতৰ দক্ষিণ কোণৰ শেষ সীমাত এভুমুকি (ভ্ৰমণ কাহিনী)	
—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ	৫১২
তিনচুকিয়া (কবিতা) - ৰায় চৌধুৰী	৫২০
চিকিৎসা জগতত বীজাণুভুক্ (bacteriophage)	
ডাক্তাৰ ঘনশ্যাম দাস এল, এম, পি	৫২১
ভক্তিমাৰ্গ (গল্প)—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	৫২৫
"শুভমস্তু" (গল্প)	
—শ্ৰীযুত ত্ৰৈলোক্য নাথ গোস্বামী এম-এ	৫২৬
তুৰস্কৰ নাৰী শক্তি আৰু কামালৰ সংস্কাৰ	
—শ্ৰীযুত নবীন বৰগোহাঞি	৫৩১
বুৰা জাহাজৰ স্মৃতি (গল্প)—শ্ৰীযুত কৰুণাকান্ত গগৈ	৫৩৭
প্ৰাচীন ভাৰতীয় আয়ুৰ্ব্বিজ্ঞান	
—ডাঃ শ্ৰীযুত সন্তোষ কুমাৰ চক্ৰবৰ্ত্তী এম-বি	৫৪৫
বৈজ্ঞানিক জগত	৫৫০
বিবিধ—	৫৫২
ছদ্মবেশী—শ্ৰীযুত শান্তিৰাম দাস বি-টি	৫৫৩
চেনেহী (কবিতা)—শ্ৰীযুত ঘনকান্ত গগৈ এম-এ	৫৬০

বিষয়	পিঠি
কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি—কৃপাবৰ	৫৬২
কামৰূপৰ বুৰঞ্জীৰ আহিলা-পাতি —পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ	৫৬৭
প্ৰতিধ্বনি (গল্প) —শ্ৰীযুত হলীৰাম ডেকা এম-এ, বি-এল	৫৬৯
প্ৰকৃতি (কবিতা)—শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ	৫৭৬
বিশ্ব প্ৰৱাহ	৫৭৭
পুৰণি স্মৃতি—শ্ৰীযুত কুলধৰ চলিহা	৫৮৩
অসমত সঙ্গীত চৰ্চ্চা —শ্ৰীযুত পদ্মধৰ চলিহা এম-এ, বি-এল	৫৮৫
গীত—শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা বি-এল	৫৮৭
জোনোৱালী—শ্ৰীযুত কমলেশ্বৰ চলিহা	৫৮৯
কামাখ্যাতীৰ্থ—পণ্ডিত শ্ৰীকামাখ্যাচৰণ ভট্টাচাৰ্য্য	৬০১
বেদ, তথ্য আৰু তত্ত্ব—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য	৬০৫
ভুল শুধৰণি	৬০৭
মহিলা জগত	৬০৮

৬ষ্ঠ সংখ্যা

বিষয়	পিঠি
'বেদ স্বতঃ প্ৰমাণ' শ্ৰীযুত মনোৰঞ্জন শৰ্ম্মা স্মৃতি শাস্ত্ৰী	৬০৯
ভক্তিমাৰ্গ—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	৬১৭
ৰোহিণী (গল্প)—শ্ৰীযুত হৰেন্দ্ৰ নাথ কলিতা	৬২০
সুন্দৰ (কবিতা)—শ্ৰীযুত পুণ্য দুৱৰা	৬৩৫
কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি—কৃপাবৰ	৬৩৬
দেৱদাসী (কবিতা)—শ্ৰীদেৱকান্ত বৰুৱা	৬৪০
পঞ্চ-প্ৰদীপ—শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি-এ,বি-টি	৬৪১
প্ৰতীক্ষা (গল্প) শ্ৰীযুত কৃষ্ণনাথ ভূঞা	৬৪৬
অনুৰোধ (কবিতা)—শ্ৰীযুত সদানন্দ দাস	৬৪৯
বঙ্গে কংগ্ৰেছ—শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱা বি-এ	৬৫০
চতুৰ্দ্দশ শতিকাৰ দুখন তামৰ ফলি— শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা বি-এল, এম-এল-চি	৬৫৮
"জিৰণি" (কবিতা)—শ্ৰীযুতা নলিনীবালা দেবী	৬৬৭
বৈজ্ঞানিক জগত	৬৭১
বিবিধ	৬৭২
জীৱ জগতৰ উৎপত্তি— শ্ৰীযুত কুমুদাভিৰাম দাস এম্-এচ-চি	৬৭৩
ছিন্নমস্তা (গল্প)—শ্ৰীযুত গোবিন্দ ৰাম দাস বি-এ	৬৮০
গীতিকবি ৰামনাৰায়ণ— শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ	৬৮৪
নতুনৰ সুৰ (কবিতা)—শ্ৰীযুত দীননাথ শৰ্ম্মা	৬৮৮
অসমৰ সুকীয়া বিশ্ববিদ্যালয় শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা, বি-এ	৬৯০
ছদ্মবেশী—শ্ৰীযুত শান্তিৰাম দাস বি-টি	৬৯৪
বিশ্বপ্ৰবাহ	৬৯৭
সমাজ সংৰক্ষণ (গল্প)—শ্ৰীযুত যুগলকুমাৰ দাস	৭০২
হিমালয় পৰ্ব্বতৰ "দুৰ্জ্জয়-লিঙ্গ"ৰ ওপৰত এপৰ —শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা বি-এ	৭০৫
বেদ, তথ্য আৰু তত্ত্ব—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য	৭১৬
স্মৃতি-ফুল (কবিতা)— শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ	৭২০
মহিলা জগত	৭২২

১৪, জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাস প্ৰেছ লিঃ ডাঃ শ্ৰীদীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

আৱাহন

৬ষ্ঠ বছৰ—২য় ভাগ

সম্পাদক—ডাঃ দীননাথ শৰ্ম্মা

বহাগ—আহিন

১৮৫৭ শক

সূচী

৭ম সংখ্যা

বিষয়	পিঠি
তুমি মোক নাযাবা পাহৰি (কবিতা) —শ্ৰীযুত শৈলধৰ ৰাজখোৱা	৭২৯
বেদ স্বতঃ প্ৰমাণ—শ্ৰীযুত মনোৰঞ্জন শৰ্ম্মা, স্মৃতিশাস্ত্ৰী	৭৩০
ভক্তিমাৰ্গ—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	৭৩৬
আবিষ্কাৰ (কথা)—শ্ৰীযুত মহেন্দ্ৰ বৰা বি-এল	৭৩৭
কবিতা—শ্ৰীযুত বীৰেশ্বৰ শৰ্ম্মা বি-এ	৭৪৩
শ্যামৰ ৰাজনৈতিক বিপৰ্য্যয়—শ্ৰীযুত ধৰ্ম্মেশ্বৰ বৰুৱা	৭৪৫
'প্ৰবাসী'ৰ প্ৰলাপ—শ্ৰীযুত নলিনীনাৰায়ণ চৌধুৰী	৭৫৪
মইনা নোপোহোঁ (গল্প) —শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা, বি-এ (জি, পি)	৭৫৬
পঞ্চ-প্ৰদীপ—শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি-এ, বি-টি	৭৬১
অসাৰ্থক (কবিতা)—শ্ৰীযুত গোবিন্দ বৰুৱা	৭৭০
জয়মতী ফিল্ম—শ্ৰীযুত উমেশচন্দ্ৰ বৰুৱা বি-এ	৭৭১
অতীতত ভুমুকি—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ	৭৭৬
চিকিম ৰাজ্যত এভুমুকি (ভ্ৰমণ কাহিনী) —শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ	৭৭৮
কোঁচ ৰজা বিশ্বসিংহ কি ?—শ্ৰীকীৰ্ত্তিনাথ খাখলাৰী	৭৮৯
বৈজ্ঞানিক জগত	৭৯০
অসমত অমৃত কাওৰ	৭৯১
অসমত সঙ্গীত চৰ্চ্চা —শ্ৰীযুত পদ্মধৰ চলিহা এম-এ, বি-এল	৭৯৩
ছদ্মবেশী (উপন্যাস) শ্ৰীযুত শান্তিৰাম দাস বি-টি	৮০৪
ভগৱন্তৰ অৱতাৰ—কৃপাবৰ	৮১৭
বিশ্ব-প্ৰৱাহ	৮২১
বিবিধ	৮২৪
বিহু উৎসৱ—শ্ৰীযুত শৈলধৰ ৰাজখোৱা বি-এ	৮২৫
নোবেল সাহিত্যৰ চমু বিৱৰণ —শ্ৰীযুতা দীপিকা বৰুৱা	৮৩১
ছোৱালীৰ গা-ধন (গল্প)—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা	৮৩৩

বিষয়	পিঠি
'নগা পাহাৰত এসপ্তাহ'ৰ বিষয়ে আমাৰ একাষাৰ —শ্ৰীযুত কৰুণাকান্ত গগৈ	৮৩৯
মাৰ্ছাল পিলচুদস্কি—শ্ৰীযুত দীননাথ শৰ্ম্মা	৮৪১
টগৰৰ কথা—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ	৮৪৪
কামাখ্যাতীৰ্থ— পণ্ডিত শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্য	৮৪৫
মহিলা জগত	৮৪৭

৮ম সংখ্যা

বিষয়	পিঠি
বৃহদ্ধৰ্ম্ম পুৰাণত কামৰূপৰ খ্যাতি —শ্ৰীযুত সোণাৰাম চৌধুৰী	৮৪৯
পঞ্চ-প্ৰদীপ—শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ	৮৫২
ভক্তি মাৰ্গ—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	৮৫৬
দেৱতাৰ সমাধি (গল্প) —শ্ৰীযুত ৰাধিকামোহন দেৱ গোস্বামী, বি-এল,	৮৫৮
আমাৰ চিলেটীয়া ভাইসকল কি ? —শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	৮৬১
স্যুইটস্যাৰলেণ্ড ভ্ৰমণ—শ্ৰীযুত শৰৎ কুমাৰ দত্ত, বি-এচ-চি (লণ্ডন) বাৰ-এট-ল	৮৬৫
কবি দুৰ্গাবৰ কায়স্থ—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ, বি-এ	৮৭২
সপোন কবিতা (কবিতা)—শ্ৰীযুত গণেশচন্দ্ৰ গগৈ	৮৭৪
বেদ স্বতঃ প্ৰমাণ—শ্ৰীযুত মনোৰঞ্জন শৰ্ম্মা স্মৃতিশাস্ত্ৰী	৮৭৫
বুৰঞ্জীৰ অপলাপ—শ্ৰীযুত ৰজনীকান্ত বৰদলৈ	৮৭৮
কৃষ্ণকুমাৰী (নাটক)—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী	৮৮২
হেজাৰ বছৰৰ বাৰ গণনা —শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ	৮৯১
খামখিয়ালী (গল্প)—শ্ৰীযুত প্ৰসন্নলাল চৌধুৰী বি-এ	৮৯৩
গীত—শ্ৰীযুত পাৰ্বতি প্ৰসাদ বৰুৱা	৯০০
অসম বিশ্ব-বিদ্যালয়ৰ দিনত	৯০১
অসমত চেনী শিল্প—শ্ৰীযুত চিদানন্দ দাস	৯০২
কাহানিখন জিনিবি জীৱন পণ ? (গীত) —শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী বি, এল	৯০৭
বৈজ্ঞানিক জগৎ	৯০৮
স্বৰলিপি—শ্ৰীযুত ধনেশ্বৰ গোস্বামী বি-এচ চি	৯০৯
বিবিধ	৯১১
গুৱাহাটীত ৰূপালী জুবিলী উৎসৱ—	৯১২
শ্ৰব্য কাব্যত কালিদাসৰ প্ৰতিভা —শ্ৰীযুত তোষেশ্বৰ ঠাকুৰ	৯১৩
ছদ্মবেশী (উপন্যাস)—শ্ৰীযুত শান্তিৰাম দাস, বি-টি	৯১৭
নগা-জাতি—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা	৯২৫
ত্যাগু আৰু সেৱা—শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতী	৯৩২
স্বামী বিবেকান —শ্ৰীযুত [illegible]নাথ বুজৰবৰুৱা, বি-এ	৯৩৪
মৌন-বীণা (ক[illegible])—শ্ৰীযুত কৰুণাকান্ত গগৈ	৯৩৭
বিশ্ব-প্ৰৱাহ	৯৩৮
লাচিত বৰফুকন —অধ্যাপক [illegible]ত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-ল	৯৪১
বিহু উৎসৱ —শ্ৰীযুত কা[illegible]কুমাৰ নাথ এম-এ, বি-এল	৯৪৯
পতিতা (গল্প)—[illegible]ত কালিনাথ ভূঞা	৯৪৫
ৰেডিয়াম—শ্ৰীযুত [illegible]দত্ত হাজৰিকা	৯৪০
ৰোডচৰ বিশাল প্ৰ[illegible]ৰ্ত্তি —শ্ৰীযুত বিষ্ণু[illegible] বৰা, বি-এল,	৯৫৪
ৰাষ্ট্ৰনায়ক ষ্টেলিন—[illegible]ত দীননাথ শৰ্ম্মা	৯৫৫
চম্পা (গল্প)—শ্ৰীযু[illegible]দৰদেৱ শৰ্ম্মা	৯৫৭
গাগ্‌লা দিয়া (কবি[illegible] —শ্ৰীযুত অতুলচ[illegible]হাজৰিকা বি-এ	৯৬০
নাৰী আন্দোলনৰ নতু[illegible]অধ্যায় —শ্ৰীযুত হৰেন্দ্ৰন[illegible]বৰুৱা বি-এ	৯৬২
মহিলা জগত	৯৬৭
সম্পাদকীয়	৯৬৭

[illegible]ম সংখ্যা

বিষয়	পিঠি
পঞ্চ-প্ৰদীপ—শ্ৰীযুত ই[illegible]ৰ বৰঠাকুৰ	৯৬৯
ভক্তি মাৰ্গ—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	৯৭৭
পৰিৱৰ্ত্তন— (গল্প)—[illegible]যুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী	৯৭৮
প্ৰাচ্য চক্ৰৱৰ্ত্তী জাপান —শ্ৰীযুত গণেশচন্দ্ৰ[illegible]কন, বি-এ	৯৮৭
বৰ্ত্তমান মানৱ সভ্যতা —শ্ৰীযুত পবিন্দ্ৰনা[illegible]ৰ্ম্মা বি-এ	৯৯৪
"চতুৰ্দ্দশ শতিকাৰ দুখন [illegible]মৰ ফলি" —শ্ৰীযুত নলিনীকুমা[illegible] মিশ্ৰ বি-এ	৯৯৮
অসম কাৰ—শ্ৰীযুত লক্ষ্মী[illegible] বেজবৰুৱা	১০০১
সন্ন্যাসিনী (গল্প)—শ্ৰীযু[illegible]গোবিন্দৰাম দাস, বি-এ	১০০৩
জেৰেমি বেনথাম—শ্ৰীযু[illegible]হেমলতা বৰুৱা	১০০৭
বলিয়া—শ্ৰীযুত শৰদি[illegible], বি-এ	১০০৮
কবিকুল শিৰোমণি [illegible] —শ্ৰীযুত কিৰণচ[illegible] স্বামী	১০০৯
কামাখ্যা তীৰ্থ —পণ্ডিত শ্ৰীযুত[illegible]াচৰণ ভট্টাচাৰ্য্য	১০১২
চাকৰি (গল্প) —শ্ৰীযুত ত্ৰৈলোমা[illegible] গোস্বামী এম-এ	১০১৩

বিষয়	পিঠি
বেদ সতঃপ্ৰমাণ—শ্ৰীযুত মনোৰঞ্জন শৰ্ম্মা স্মৃতি-শাস্ত্ৰী	১০২১
ডিমাপুৰৰ ভগ্নাৱশেষ কি ? শ্ৰীযুত কীৰ্ত্তিনাথ খাখলাৰী	১০২৪
অসমত খাদি শিল্পৰ প্ৰচাৰ —শ্ৰীযুত সোণাৰাম দত্ত বি-এ	১০২৫
বৈজ্ঞানিক জগত	১০৩১
ছদ্মবেশী (উপন্যাস)—শ্ৰীযুত শান্তিৰাম দাস, বি-টি	১০৩৩
ঘোষাৰত্ন আৰু ৺ গোপাল মিশ্ৰ কবিৰ —শ্ৰীযুত হৰেকৃষ্ণ গোস্বামী	১০৪০
আসুৰিক ঔষধ (গল্প) শ্ৰীযুত অচ্যুতানন্দ দাস, বি এ	১০৪৩
কৃষ্ণকুমাৰী (নাটক)—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী	১০৪৫
স্নেহৰ টান (গল্প)—চশমে নুৰজাহান বেগম	১০৫৩
জয় মঙ্গল গীতি—শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা বি-এল	১০৫৭
বিশ্ব-প্ৰৱাহ	১০৫৮
সংগ্ৰহ	১০৬১
বিবিধ	১০৬২
বিদায় পৰত—মহম্মদ ৰায়হান ছাহ	১০৬৩
সিৱসাগৰত অমৃত কাউৰৰ সম্বৰ্দ্ধনা	১০৬৪
ছোৰাব ৰুস্তম (দৃশ্য কাব্য) —শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা, [illegible]-এ	১০৬৫
"টাইগাৰ হিল"ৰ ওপৰত আৰু এখ[illegible] —শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা, [illegible]-এ	১০৬৯
অসমত হাতী ধৰা বা হাতী চিকাৰ —শ্ৰীযুত উমাকান্ত গগৈ	১০৭৯
অষ্ট্ৰেলিয়া ভ্ৰমণ—শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বি এ	১০৮৪
প্ৰলাপ (কবিতা)—শ্ৰীযুত গণেশচন্দ্ৰ গগৈ	১০৮৭
মহিলা জগত	১০৮৮
সম্পাদকীয়	১০৮৮

১০ম সংখ্যা

বিষয়	পিঠি
নৃ-তত্ত্ব—শ্ৰীযুত বিকাশচন্দ্ৰ গোহাঞি, এম-এ	১০৮৯
কলংপাৰত (কবিতা)— শ্ৰীযুত দেৱকান্ত বৰুৱা, বি-এ	১০৯৬
পৰিৱৰ্ত্তন (গল্প)—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী	১০৯৭
যুদ্ধৰ পথত ইটালি আৰু এবিছিনিয়া— শ্ৰীযুত সুৰেন্দ্ৰনাথ বৰুৱা, বি-এ	১১০৬
বেদতথ্য আৰু তত্ত্ব—শ্ৰীযুত কমলকান্ত ভট্টাচাৰ্য্য	১১১৬
শিশুসাহিত্য —শ্ৰীযুত সুৰেন্দ্ৰমোহন দাস, এম-এ, বি-টি	১১১৮
কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি—কৃপাবৰ	১১২১
নিৰুদ্দেশ (গল্প)—শ্ৰীযুত কৃষ্ণ [illegible]	১১২৪
ডক্তৰ কাকতিদেৱৰ 'থিছিছ' —শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা, বি-এ	১১২৯
সূৰ্য্যৰ উদ্দেশে ৰাণী সন্ধিয়া —শ্ৰীযুতা ৰাসেশ্বৰী খাটনিয়াৰ	১১৩৩
অষ্ট্ৰেলিয়া ভ্ৰমণ শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য, বি-এ বি-টি	১১৩৫
জন্মভূমি (কবিতা) —শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা, বি-এ	১১৩৯
আদৰ্শ ধনী (গল্প)—এম, আৰ, ইছলাম	১১৪০
অসমৰ সুকীয়া ভেষজ বিদ্যা —শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ, বি-এ	১১৪৫
বৈজ্ঞানিক জগত—	১১৪৮
বিবিধ—	১১৫১
চিৰ যৌৱনৰ চিৰ নন্দন কানন (কবিতা) শ্ৰীযুত কৰুণাকান্ত গগৈ	১১৫২
ছদ্মবেশী (উপন্যাস)—শ্ৰীযুত শান্তিৰাম দাস, বি-টি	১১৫৩
গ্ৰীকজাতি—শ্ৰীযুত বিষ্ণুচৰণ বৰা, বি-এল	১১৬১
কৃষ্ণকুমাৰী (নাটক)—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী	১১৬৫
গোহাঁইদেও (গল্প) শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা	১১৭০
সুৰ-বিজয়—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	১১৭৪
ধৰ্ম্ম কাক কয়—শ্ৰীযুত প্ৰভাতচন্দ্ৰ শ্ৰুতিকৰ, বি-এ	১১৭৫
বিশ্ব-প্ৰৱাহ	১১৭৭
অসমীয়া পৰিভাষা —শ্ৰীযুত নন্দীপ্ৰসাদ কটকী, এম-এছ-ছি	১১৮০
ছিলন মেলেৰীয়া—ডাঃ শৰৎচন্দ্ৰ বৰুৱা	১১৮২
অভিশাপনে প্ৰতিশোধ (গল্প) —শ্ৰীযুত দীননাথ শৰ্ম্মা	১১৮৫
চতুৰ্দ্দশ শতিকাৰ দুখন তামৰ ফলি —শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা, বি-এল, এম-এল-ছি	১১৯০
নাছিক ভ্ৰমণ—শ্ৰীযুত ফণিধৰ বৰুৱা	১১৯৩
কামাখ্যা তীৰ্থ —পণ্ডিত শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্য	১১৯৭
অসমত জীৱন বীমাৰ ব্যৱসায় —শ্ৰীযুত ভুবনচন্দ্ৰ ভূঞা	১১৯৯
মহিলা জগত—	১২০১
সম্পাদকীয়—	১২০৪

১১শ সংখ্যা

বিষয়	পিঠি
জন্মাষ্টমী—শ্ৰীযুত ৰাধিকানন্দ চৌধুৰী	১২০৯
কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি—কৃপাবৰ	১২১৫

বিষয়	পিঠি
পৰিৱৰ্ত্তন (গল্প)—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী	১২১৭
যুদ্ধৰ পথত ইটালি আৰু এবিছিনিয়া —শ্ৰীযুত সুৰেন্দ্ৰনাথ বৰুৱা, বি-এ	১২২৩
নাগলোকৰ কথা—শ্ৰীযুত কৰুণাকান্ত গগৈ	১২৩৪
কলিয়াপানী ফিৰত (গল্প) —শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ, বি-এ	১২৩৯
বাণভট্ট—শ্ৰীযুত কিৰণচন্দ্ৰ গোস্বামী	১২৪৪
ধম্মপদ—শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰু, বি-এ	১২৪৭
অষ্ট্ৰেলিয়া ভ্ৰমণ শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য, বি-এ, বি-টি	১২৪৯
স্বৰলিপি—	১২৫৪
কৃষ্ণকুমাৰী (নাটক)—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী	১২৫৭
মহতৰ জীৱনী—৺ভগৱতী প্ৰসাদ বৰুৱা	১২৬৩
নিবেদন (কবিতা)—শ্ৰীযুতা মৃণালিনী দেৱী	১২৬৪
ৰসসিন্দুৰ স্বৰ্ণসিন্দুৰ, মকৰধ্বজ, সিদ্ধ মকৰধ্বজ— আৰু প্ৰাচ্য পাশ্চাত্য বিজ্ঞান—কবিৰাজ শ্ৰীযুত ঘনশ্যাম দাস বি-এ, কবিৰত্ন	১২৬৫
বৈজ্ঞানিক জগত—	১২৬৮
বিবিধ—	১২৭০
স্মৃতিৰেখা (কবিতা) —শ্ৰীযুত দক্ষিণাকান্ত বৰুৱা বি-এ	১২৭২
পাৰিজাতৰ আত্মোপলব্ধি (গল্প)— শ্ৰীযুত মোহনলাল চৌধুৰী	১২৭৩
মন্দাকিনী (কবিতা)—শ্ৰীযুত ভবানন্দ ৰাজখোৱা	১২৮০
বৈদিক যুগৰ একেশ্বৰবাদৰ ক্ৰমবিকাশ শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা, বি-এ	১২৮১
নাট্য জগতত ভূমুকি—নটৰাজ—	১২৮৫
পূজাৰী (কবিতা)—শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা, বি-এল	১২৮৮
আৰতি (গল্প)—শ্ৰীযুত হৰেন্দ্ৰনাথ কলিতা	১২৮৯
পৃথিৱীৰ আদি কবি —শ্ৰীযুত জিতেন্দ্ৰনাথ বুজৰবৰুৱা, বি-এ,	১২৯৯
বিশ্বপ্ৰৱাহ—	১৩০২
ছদ্মবেশী (উপন্যাস)—শ্ৰীযুত শান্তিৰাম দাস, বি-টি,	১৩০৫
ৰূপালী জুবিলীৰ শোভাযাত্ৰা দৰ্শন —মিছ ডেলাছ চৌধুৰী	১৩১৫
বিশ্বপ্ৰেম (কবিতা) —শ্ৰীযুত দেৱেশ্বৰ বৰদলৈ, বি-এ	১৩২০
মহিলাজগত—	১৩২১
সম্পাদকীয়—	১৩২৩
শুধৰণি—	১৩২৮

১২শ সংখ্যা

বিষয়	পিঠি
ব্ৰহ্মবিদ্যা—শ্ৰীযুত গঙ্গানাথ শৰ্ম্মা বেদতীৰ্থ	১৩২৯
শেষউক্তি (কবিতা) এম, ইক্ৰাম আলি হাজৰিকা	১৩৩৬
পৰিৱৰ্ত্তন (গল্প)—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী	১৩৩৭
কৃপাবৰ বৰুৱাৰ [illegible] বুৰ্বুৰণি—কৃপাবৰ	১৩৪৫
মাদাগাস্কাৰ দ্বীপ—শ্ৰীযুত ভুবনচন্দ্ৰ সন্দিকৈ	১৩৪৮
কৃষ্ণকুমাৰী (নাটক)—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী	১৩৫৪
সন্ধিয়াৰ বন্তি (গল্প) শ্ৰীযুত নলিনীনাথ ফুকন, এম-এ, বি-এল	১৩৫৮
শ্ৰীশ্ৰীদুৰ্গা মাহাত্ম্য—শ্ৰীযুত হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য	১৩৬৪
সুখৰ সোৱাদ (কবিতা) শ্ৰীযুত দক্ষিণাকান্ত বৰুৱা, বি-এ	১৩৬৮
আমাৰ মণিপুৰ [illegible] শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা, বি-এ	১৩৬৯
ৰূপৰ পূজা (গল্প)—শ্ৰীযুত কৃষ্ণ ভূঞা	১৩৭৬
মাৰাঠা বুৰঞ্জীৰ [illegible] বিশিষ্টতা —শ্ৰীযুত গিৰীশ চৌধুৰী, বি-এল	১৩৮৩
বৈজ্ঞানিক জগত	১৩৮৮
জেপেলিন—শ্ৰীযুত [illegible]লোকচন্দ্ৰ শৰ্ম্মা	১৩৯০
বিবিধ—	১৩৯২
ছদ্মবেশী (উপন্যাস) শ্ৰীযুত শান্তিৰাম দাস, বি-টি	১৩৯৩
অতীত ভাৰতৰ বিলাস সামগ্ৰী —শ্ৰীযুত হৰিচন্দ্ৰ ভট্টাচাৰ্য্য বি-এ	১৪০৩
ৰুদ্ধ যৌৱন (গল্প) [illegible]ত ৰমাদাশ ; বি-এ	১৪০৬
মোগল যুগৰ বিদুষী [illegible]মান ৰমণী মৌলবী মহম্মদ মুমুল্লা, বি-এ, ই-এ-ছি	১৪১৩
বিশ্ব প্ৰৱাহ	১৪১৮
ৰসসিন্দুৰ, স্বৰ্ণসিন্দুৰ, মকৰধ্বজ আৰু প্ৰাচ্য পাশ্চাত্য বিজ্ঞান—কবিৰাজ শ্ৰীযুত ঘনশ্যাম দাস বি-এ কবিৰত্ন	১৪২১
সন্ধ্যাৰাণী (কবিতা) শ্ৰীযুত শশী কান্ত গগৈ	১৪২৪
নাগলোকৰ কথা—শ্ৰীযুত কৰুণাকান্ত গগৈ	১৪২৫
ইটালি এবিছিনিয়া ৰণ	১৪৩৩
সাময়িক আলোচনা	১৪৩৬
নতুন বুৰঞ্জী প্ৰকাশ	১৪৩৮
মহিলা জগত	১৪৪০
সম্পাদকীয়	১৪৪৪
সমালোচনা	১৪৪৮

৫২৭৩/আ:
১১. ৬. ৯৯

আৱাহন



সান্ধ্য পূজালৈ

শিল্পী—শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা

জুয়েল অফ ইণ্ডিয়া প্ৰেছ, কলিকতা

ASAM SAHITYA SA

৫২৭৩/অ:


আবাহন

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

৬ষ্ঠ বছৰ, ১ম সংখ্যা] কাতি [১৮৫৬ শক
৭৮
৪

বৈদিক ঋষিৰ সৃষ্টিযজ্ঞ

—শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা বি-এ

[ঋগ্বেদ সংহিতাৰ বিখ্যাত পুৰুষ সূক্তৰ কথা সকলোৱে জানে। এই সূক্তত সৃষ্টি কাৰ্য্যক এক বিৰাট যজ্ঞ বুলি পৰিকল্পনা কৰা হৈছে। এই যজ্ঞৰ তাৎপৰ্য্যই বিস্তৃতি লাভ কৰিলত শেহত মানুহৰ জীৱনটোৱেই এটা যজ্ঞ মাথোন বুলি ভাৰতীয় আৰ্য সকলৰ মানত বোধ হল। এই কথাকে এই প্ৰবন্ধত বুদ্ধি অনুসাৰে বুজাবলৈ চেষ্টা কৰা হৈছে। প্ৰবন্ধ লিখোতে কেৱা জনো মনীষীৰ গ্ৰন্থৰ পৰা সহায় পোৱা গৈছে। লিখকৰ, অধ্যাপক শ্ৰীযুত লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় এম্-এ বেদশাস্ত্ৰী দেৱৰ অধ্যাপনা কাৰ্য্যৰ পৰা পোৱা সহায় বিশেষ ভাৱে উল্লেখ যোগ্য]

প্ৰায় ৫০০০ বছৰ পূৰ্ব্বেই আৰ্য্যঋষি সকলে বিশ্বৰ উৎপত্তি আৰু কাৰণ লৈ যি গভীৰ গৱেষণা কৰিছিল তাৰ অত্যুজ্জ্বল নিদৰ্শন ঋগ্বেদ সংহিতাৰ সৃষ্টি সূক্তত (১০ম—১২৯সূ) আমি পাওঁ। সেই আদিম যুগত চিন্তাৰ প্ৰখৰতা আৰু ভাৱৰ গভীৰতাৰ পৰিচয় পাই আচৰিত হব লগা হয়। তেওঁলোকে কিন্তু উধাব নোৱাৰিলে, বিনোৰত আপোনা আপুনি প্ৰশ্ন উঠিল

"কো অদ্ধা বেদ ক ইহ প্ৰবোচেৎ
কুত আজাতা কুত ইয়ং বিসৃষ্টিঃ"—ঋঃ বে ১০-১২৯-৬

"প্ৰকৃত সত্য কোনে জানে? কোনেই বা ক'ব পাৰিব? ক'ৰ পৰা এই সকলো উপজিল, এই সৃষ্টিৰেই বা গুৰি ক'ত।" কল্পনা তথাপি ক্ষান্ত নহল, লৰিবলৈ লাগিল। শেহত এই বিশ্বৰ সৃষ্টি ক্ৰিয়াৰ বিষয় গভীৰ অনুসন্ধান কৰি তাক বুজাবলৈ বৈদিক ঋষিয়ে সহায় ললে এটি ৰূপকৰ, আৰু এই ৰূপকৰ আৰোপস্থল হল তেওঁলোকৰ চিৰপৰিচিত যজ্ঞত। ভাৰতীয় আৰ্য্যৰ মনত সকলো কথাই যজ্ঞ আৰু এই বিশ্বসৃষ্টিও তেওঁলোকৰ মনত প্ৰতিভাত হল এক বিৰাট যজ্ঞ বুলি।

এই সৃষ্টিযজ্ঞৰ কথা আমি পাওঁ ঋগ্বেদ সংহিতাৰ পুৰুষ সূক্তত (১০ম ৯০সূ)। এই সূক্তত সৃষ্টিকাৰ্য্যটো এটা বিৰাট

বিশ্বজনীন যজ্ঞ বুলি বর্ণনা করা হৈছে। মন্ত্রদ্রষ্টা ঋষি নাৰায়ণে এইটো নিজৰ বর্ণনা বুলি প্রকাশ কৰা নাই, তেওঁ কেৱল তেওঁৰ পূর্ব্ববর্ত্তী ঋষিসকলে এই সৃষ্টি প্রণালী যজ্ঞানুষ্ঠানৰ লগত কি ভাবে তুলনাৰ কল্পনা কৰিছিল তাকেহে বিশদ ভাবে ব্যাখ্যা কৰিছে। সৃষ্টি ক্রমৰ কোন অংশৰ লগত যজ্ঞৰ কোন অংশৰ তুলনা হয় তাক তেওঁ একাদিক্রমে কৈ গৈছে। সেই কাৰণেই সূক্তৰ মাজত 'দেৱাঃ' 'সাধ্যাঃ', 'ঋষয়ঃ' এই শব্দ কেইটা অনেক বাৰ পোৱা যায়। অনেকে ব্যাখ্যা কৰে (বিশেষকৈ য়ুৰোপীয় পণ্ডিত সকলে) দেৱতা সকলে এই যজ্ঞ কৰা বুলি, কাৰণ সূক্তত "যৎপুরুষেণ হবিষা দেৱা যজ্ঞমতন্বত" আৰু 'দেৱা যৎযজ্ঞং তন্বানা' বুলি উল্লেখ কৰিছে। কিন্তু 'তন্বানা' অর্থে যজ্ঞ নিজে কৰাতকৈ দেৱতা সকলে, ঋষি সকলে এই যজ্ঞৰ কল্পনা কৰিছিল এইদৰে বুজিব লাগিব। সূক্তত 'অকল্পয়ং' এই প্রয়োগেই আছে। বিশেষকৈ দেৱতা সকলো সৃষ্টিৰহে ফল, তেওঁলোক সৃষ্টি যজ্ঞৰ কর্ত্তা হব কেনেকৈ? এই সূক্তত দেৱতা সকলৰ উৎপত্তিৰ বিষয়ে কৈছে—যথা 'চন্দ্রমা মনসো জাত' ইত্যাদি। সৃষ্টি সূক্তত স্পষ্টকৈ কৈছে "অৰ্ব্বাক্ দেৱা অস্য বিসর্জ্জনেন" সৃষ্টিতকৈ দেৱতা সকল পাছব। দেৱ অর্থে বিদ্বান বুলিও ধৰিব পাৰি। শ্রুতিত আছে "বিদ্বাং সো বৈ দেৱাঃ।"

আদিতে আছিল এক বিৰাট পুৰুষ। তেওঁ আছিল অব্যক্ত অথচ সর্ব্বব্যাপক, তেওঁ জগত জুৰি আছে, অথচ জগতৰ অতীত অৱস্থাত আছিল। এইছেই "সহস্রশীর্ষা পুৰুষঃ। সহস্রাক্ষঃ সহস্রপাৎ সভূমিং বিশ্বতো বৃত্বাত্য তিষ্ঠৎ দশাঙ্গুলম্" মন্ত্রৰ তাৎপর্য্য এতিয়া যি আছে, যি হব যি আছিল সকলো সেই পুৰুষেই "পুরুষ এবেদং সর্ব্বং সভূতং যচ্চ ভব্যম্"। এই আদি পুৰুষৰ সৃষ্টি ইচ্ছা হল, বহু হবৰ মন গ'ল। এয়ে হল কাম বা সৃষ্টি প্রবোচনা (Creative limpulse) "কামস্তদগ্রে সমবর্ত্ততাধি"। ইয়াকে কবিবৰীলে তেওঁ অব্যক্ত অৱস্থাৰ পৰা ব্যক্ত অৱস্থালৈ আহিব লগা হল। এয়েই হল 'বিৰাট তস্মাদ্ বিৰাজায়ত।' এয়েই সাংখ্যৰ মহদাদি তত্ত্ব। সূক্ষ্মতম অৱস্থাৰ পৰা স্থূল অৱস্থা পালেহি। সৃষ্টিৰ প্রথম পুৰুষী নিশাৰ এই অৱস্থা কল্পনাৰ অতীত, একো নহয় অথচ কিবা হয়, নাৰ বিষয়ে ঋষিয়ে গাইছে "নাসদাসীন্নো সদাসীত্তদানীম্" তেতিয়া 'অসতো' (non-existent) নাছিল অথচ 'সতো' (existent) নাছিল এই প্রকৃতিকে আশ্রয় কৰি সৃষ্টিযজ্ঞৰ বহি কুশময় বেদী কল্পনা কৰা হল। যজ্ঞৰ হবিঃ ক'ত! পৰম পুৰুষে আত্মদান কৰিলে, অধিপুরুষৰ জন্ম হল। প্রথমে আদিপুৰুষ, তাৰ পিছত বিৰাট, তাৰ পিছত অধিপুরুষ। এই অধিপুরুষেই বিশ্বৰ প্রাণশক্তি (Infusing aspect) পৰম পুৰুষে নিজক বিশ্বময় বিলাই দিলে, অনিরুদ্ধ পুৰুষ সুপ্তবদ্ধ হল। মুক্ত পৰমাত্মা জীৱাত্মাৰূপে ভূতদেহত আবদ্ধ হল। এই অধিপুরুষকেই হবিঃ কৰি যজ্ঞ আৰম্ভ হল।

এই মহাযজ্ঞৰ আজ্য (জুলীয়া ঘিউ) হল বসন্ত ঋতু, সমিধৰ কাম কৰিলে গ্রীষ্মঋতুয়ে, আৰু ঘৃত তিল, পুৰোডাশ আদি যজ্ঞীয় উপসম্ভাৰ স্বৰূপে প্রতিনিধিত্ব কৰিলে শৰৎ ঋতুয়ে। এনে আৱোপৰ কাৰণ হৈছে এই—বসন্ত কালত তৃণবৃদ্ধি হেতুকে দুগ্ধৰ প্রাচুর্য্য, আৰু আজ্যৰ সুলভত্ব। অধিক তাপৰ কাৰণে পলাশ আদি কাঠ গ্রীষ্ম কালতে পোৱা যায়! শৰৎকাল শস্যৰ কাল, যব তিল পুৰোডাশ (যজ্ঞত ব্যৱহাৰ কৰা পিঠা) শৰৎ ঋতু নহে কি হব? যান্ত্রিক অর্থতেই কিন্তু এই ঋতুবিলাকৰ ব্যৱহাৰৰ সার্থকতা পূর্ণ নহয়, সৃষ্টিবিষয়ে ইয়াৰ তত্ত্ব আৰু গূঢ়। গ্রীষ্ম, শৰৎ আৰু বসন্ত ঋতুৰে একেলগে বুজাইছে কালৰ তত্ত্ব (Time) অধিপুরুষৰ স্বপ্রকাশৰ লগে লগে কালৰ অন্তিত্বও প্রথম আৰম্ভ হল। "যৎপুরুষেণ হবিষা, দেৱা যজ্ঞমতন্বত, রসন্তো অস্যাসীদাজ্যং গ্রীষ্ম ইধ্ম শৰদ্ধবিঃ" এই ফাকিয়ে এই কথাকে বুজাইছে।

"যজ্ঞমতন্বত" কথাষাৰ মন কৰিব লগীয়া, কাৰণ অতন্ত ক্রিয়াৰ ব্যৱহাৰত এক বিশেষ অর্থ বর্ত্তমান। তন্ ধাতুৰ অর্থ হল বিস্তাৰ কৰা "তনু বিস্তাৰে" (ধাতুপাঠ) সূতা দীঘলীয়া কৈ অনানিয়া অর্থত হয়, ইয়াৰ পৰাই তন্ত শব্দৰ উৎপত্তি। ঋগ্বেদৰ এঠাইত ব্যৱহাৰ আছে "বৎসে বষ্কয়োধি সপ্ততন্তূন্ বিততৃিষে কৰয় ওততাউ" (১ম-১৬৪ সূ-১০৫ মন্ত্র)। তেনেহলে 'যজ্ঞমতন্বত' কথাৰ অর্থ হল দেৱতা সকলে যজ্ঞৰ তাঁত মেলিলে। তেনেহলে আমি পালো সৃষ্টিকার্য্য আৰু যজ্ঞৰ তুলনা কৰিবলৈ যাওঁতে বৈদিকযুগৰ আৱহবিহীন জীৱনৰ আৰু এটি বস্তুৰ লগত উক্ত ৰূপক মিহলি হল। বিশ্বসৃষ্টি যেনেকৈ যজ্ঞ হিচাবে ধাৰণা কৰা হল এই যজ্ঞৰ আকৌ সেইদৰে দীঘ আৰু বানিৰ সহায়ত বৈ নিয়া এখন কাপোৰৰ স্বৰূপে বর্ণনা হল। বেদৰ অন্য এটি সূক্তত এই ৰূপক আৰু স্পষ্টকৈ পোৱা যায়

যো যজ্ঞো বিশ্বতস্তন্তিভিত্ত একশতং দেৱকর্ম্মেভিরায়তে।
ইমে বয়ন্তি পিতরো য আয়য়ুঃ প্রয়য়াপরয়ে ত্যাসতে ততে
পুমা এনং তনুত উৎকৃণত্তি পুমান্ বিততে অধিনাকে
অস্মিন্
ইমে মযুখা উপসেদুরুদ্ধসঃ সামানি চক্রুস্তসবাংস্যোতবে॥

সায়নাচার্য্যই ইয়াৰ ব্যাখ্যান কৰোতে কৈছে "জোতিষ্টো মাদি যজ্ঞ এবং ৰূপকত্বেন পটাঅনা বর্ণ্যতে"। তাঁত বাতি লওতে যেনেকৈ সূতা অনানিয়া কৰি অহা যোৱা কৰিব লাগে যজ্ঞৰ আৰম্ভণিতে সেইদৰে সূতা লৈ বেদী আদিৰ জোখ মাখ লওঁতে একে ধৰণৰ শৰীৰ চালনা হয়। তাত বওঁতে মাকোৰ দৰে সাম গান কৰোতে উদাত্ত, অনুদাত্ত, স্বৰিত, গান্ধাৰ আদি স্বৰ দেখুৱাই যাব লাগে তাকে কৰোতে হাত উঠানমা কৰিবৰ দৰ্কাৰ হয়। ইত্যাদি মিল থকাত এই ৰূপকৰ অৱতাৰণা। কিন্তু তাঁত বোৱাৰ লগত এই সামগ্রস্য গূঢ়াৰ্থহীন কৈবিৰ ৰূপক অলঙ্কাৰ নহয় ইয়াৰ অন্তৰালত গভীৰ তত্ত্ব নিহিত আছে। এই তত্ত্ব বুজিবলৈ আন এখন গ্রন্থৰ সহায় লব লাগিব। বৃহদাৰণ্যক উপনিষদৰ তৃতীয় অধ্যায়ৰ ৭ম ব্রাহ্মণত (খণ্ডবিশেষ) সূত্রৰ উল্লেখ আছে। পিছৰ অষ্টম ব্রাহ্মণত এই সূত্রকে লক্ষ্য কৰি গার্গীয়ে যাজ্ঞবল্ক্যক প্রশ্ন কৰিছে—"সা হো বাচ যদূর্দ্ধং দিবো যদৱাক্ পৃথিব্যা যদন্তৰা দ্যাবা পৃথিবী ইমে যদ্ভূতঞ্চ ভবচ্চ ভবিষ্যচ্চেত্যাচক্ষতে কস্মিংস্তদোতঞ্চ প্রোতঞ্চ ক্ষেতি"—হে যাজ্ঞবল্ক্য ব্রহ্মাণ্ডৰ ওপৰ, পৃথিবীৰ অধোদেশ, দ্যুলোক আৰু পৃথিবীৰ মধ্যভাগ, অতীত, বর্ত্তমান আৰু ভবিষ্যত এই সকলো যি সূত্রত একীভূত হৈ আছে সেই সূত্র ওতঃপ্রোতভাবে কোন অৱস্থিত আছে?" যাজ্ঞবল্ক্যই উত্তৰ দিলে "আকাশেতদোতঞ্চ প্রোতঞ্চেতি"। গার্গীয়ে প্রশ্ন কৰিলে—এই আকাশৰ (Space) আশ্রয় কি? যাজ্ঞবল্ক্যই উত্তৰ দিলে—"এতদ্বৈ তদক্ষৰং গার্গি ব্রাহ্মণা অভিবদন্তি"। ইয়াৰ পৰা ভালকৈ বুজা যায় যে তন্তবিস্তাৰৰ যি দীঘ আৰু বানি সি স্থান আৰু কালৰ বিভাগৰ বাহিৰে আন একো নহয়।

এতিয়া আমি বুজিলো 'যজ্ঞমতন্বত' বোলোতে স্থান আৰু কালৰ বিভাগৰ কথাও কোৱা হল। 'বসন্তো অস্যাসীৎ আজ্যম' ইত্যাদিবে তাকে দৃঢ় কৰিলে। বিশ্ব যজ্ঞৰ প্রাথমিক আয়োজন শেষ হল। এতিয়া অঙ্গভাগ আৰম্ভ হল। যজ্ঞৰ আৰম্ভতে বলি সংস্কাৰৰ আৰম্ভক। এই পুৰুষৰূপ বলিকো প্রোক্ষণ কৰা হল "তং যজ্ঞং বর্হিষি প্রৌক্ষন্, পুৰুষং জাতমগ্রতঃ"। বর্হি অর্থে কুশ পাৰি বখা বেদী বুজায়; সৃষ্টি অর্থে ত্রিগুণাত্মক প্রকৃতি, পুৰুষৰ প্রোক্ষণ কার্য্য হৈছে অনুপ্রাণনা। তাৰ পিছত "তস্মাদ্ যজ্ঞাৎসর্ব্বহুতঃ, সম্ভৃতং পৃষদাজ্যম্" সেই সর্ব্বহুত যজ্ঞৰ পৰা পৃষদাজ্য উত্থিত হল। পৃষদাজ্য মানে ঈষৎ জুলীয়া মাখন আৰু এই ঈষৎ জুলীয়া মাখন জগতৰ আদিম নীহাৰিকাময় অৱস্থা নে?

এতিয়া এই বলিৰ বিভিন্ন অঙ্গৰ পৰা বিভিন্ন প্রকাৰ সম্ভাৰ উৎপত্তি হল। মুখৰ পৰা ব্রাহ্মণৰ উৎপত্তি হল। ক্ষত্রিয় বাহুৰ পৰা আৰু বৈশ্য উৰুদেশৰ পৰা উদ্ভূত হল। শূদ্ৰৰ জন্ম হল পুৰুষৰ পদদ্বয়ৰ পৰা। চন্দ্রমাৰ জন্ম সেই পুৰুষৰ মনৰ পৰা, সূর্য্য আবিভূত হল চকুৰ পৰা; অগ্নি আৰু ইন্দ্ৰ জন্ম স্থান আছিল পুৰুষৰ মুখ, বায়ু হল শ্বাস সম্ভূত। এইদৰে এই বিশ্বকপধাৰী পুৰুষৰ নাভি অন্তৰীক্ষ, শিৰ স্বর্গ, পৃথিবী তেওঁৰ পাদদ্বয়। মূলকথা পুৰুষেই এই বিশ্বৰ উপাদান কাৰণ (Meterial cause) অথচ কর্ত্তা (efficient cause) সৃষ্টি যজ্ঞ নাঙ্গ হল।

এয়েই আছিল বিশ্বৰ সর্ব্বপ্রথম বিৰাট যজ্ঞ। যজ্ঞানুষ্ঠানকাৰী স্বয়ং বিৰাটপুৰুষে এই যজ্ঞত নিজকেই ত্যাগ কৰিছিল। নিজেই নিজক আহুতি দিছিল। বিশ্বত যি আছে বা আছিল সকলো সেই পুৰুষেই আৰু এই সর্ব্বাত্মক পুৰুষ হুত হোৱা বুলিয়েই ইয়াৰ নাম সর্ব্বহুত। এই

পুৰুষকেই নিবেদন কৰা হৈছিল আদি পুৰুষলৈ। এই আধিভৌতিক যজ্ঞস্বৰূপ সৃষ্টিবিশ্বেৰে আধিদৈবিক যজ্ঞস্বৰূপ মহাপুৰুষৰ অৰ্চ্চনা কৰাৰ কল্পনা কৰিছিল সৰ্ব্বপ্ৰথম দেৱতা সকলে আৰু তত্ত্বদৰ্শী ঋষি সকলে "যজ্ঞেন যজ্ঞম্ অয়জন্ত দেবাঃ"। আজি যি যজ্ঞ কৰা হয় সি বিশ্বৰ প্ৰথম যজ্ঞৰ অনুকৰণতহে। এই মহাযজ্ঞৰ আৰ্হিতেই আমাৰ ক্ষুদ্ৰ যজ্ঞৰ পৰিকল্পনা. এই কথাও ঋঙ্‌মন্ত্ৰত উচ্চৈঃস্বৰে ঘোষিত হৈছে—

"চাক্লপ্ৰে তেন ঋষয়ো মনুষ্যা যজ্ঞে সজাতে
পিতোৰোনঃ পুৰাণে"
ঋঃ বে—১০।১৩০

আমি কেৱল পিতৃপুৰুষৰ পথ অনুগমন কৰোঁ—
"পূৰ্ব্বেষাং পন্থামনুদৃশ্যধীৰা অন্বালেভিৰে ৰথ্যোন ৰশ্মীন্"।
ঋঃ বে ১০।১৩০

আমি যি সৃষ্টিযজ্ঞৰ বৰ্ণনা কৰিলো ইয়াৰ তাৎপৰ্য্য গভীৰ আৰু ব্যাপক। যজ্ঞৰ পৰিভাষিক অৰ্থ হৈছে দেৱতাৰ উদ্দেশ্যে কোনো বস্তু ত্যাগ কৰা, গতিকে যজ্ঞৰ মূলতে ত্যাগ। ঈশ্বৰে আত্মাহুতি দি সৃষ্টি কৰিছে, নিজক বহু কৰিছে, নিজেই পশু হৈ বলিত্ব গ্ৰহণ কৰিছে। তাৰ ফলতেই এই অনন্ত কোটি ব্ৰহ্মাণ্ডত চন্দ্ৰ, সূৰ্য্য, গ্ৰহ নক্ষত্ৰ নদী পাৰাবাৰ পৰ্ব্বত পাহাৰ ভূচৰ খেচৰ জলচৰ প্ৰাণীৰ উৎপত্তি। বস্তুতঃ এই বিশ্বব্ৰহ্মাণ্ড ঈশ্বৰৰ আত্মত্যাগৰ ফল। সৃষ্টি বা বিসৃষ্টিৰ অৰ্থ হৈছে বিসৰ্জ্জন বা ত্যাগ আৰু সংহাৰ মানে চপাই সামৰি লোৱা। প্ৰকৃতিত সেই একে সত্যকেই আমি দেখিবলৈ পাওঁ। মহাসত্তাৰ জ্যোতিত সূৰ্য্য জ্যোতিষ্মান, সূৰ্য্যই পোহৰ আৰু উত্তাপ দান কৰিছে পৃথিবীক, পৃথিবীৰ গৰ্ভ ভেদি উঠিছে অসংখ্য তৰু-লতা, বন-উপবন। সহস্ৰপ্ৰকাৰ বৃক্ষগুল্মৰ ফল ফুলস্বৰূপ আত্মত্যাগৰ ওপৰতেই যাবতীয় পশু পক্ষীয়ে জীৱন ধাৰণ কৰি আছে। এই চন্দ্ৰ সূৰ্য্য গছ-লতা নদী পাৰাবাৰে একযোগে কৰা আত্মত্যাগৰ কাৰণেই মানুহ জগতত স্থিৰ প্ৰতিষ্ঠিত। এই বিপুল ত্যাগৰ ওপৰতেই মনুষ্যজীৱনৰ সম্ভাৱনা। আমি যে যজ্ঞ কৰোঁ সি এই বিশ্বব্যাপাৰৰ প্ৰতি শ্ৰদ্ধা দেখুৱাৰ উপায়। উদ্দেশ্য হৈছে নিজৰ ক্ষুদ্ৰ অস্তিত্বৰ লগত বিশ্বৰ বিৰাট অস্তিত্বৰ যি দায়িত্ব সম্বন্ধ তাৰ প্ৰতি মানুহক সজাগ ৰখা। যজ্ঞৰ মূল নীতি বিশ্লেষণ কৰিলে সেই একে সত্যই প্ৰতিপন্ন হয়। যজ্ঞৰ প্ৰত্যেক দ্ৰব্য বিশ্বৰ সৃষ্টিশক্তিৰ প্ৰতিভূস্বৰূপে গ্ৰহণ কৰা হৈছে। মানবৰ অৱশ্যকৰণীয় এই ক্ষুদ্ৰ যজ্ঞবিলাকৰ ৰচনা সেই মহাযজ্ঞৰ নিয়ম অনুসৰণ কৰি কৰা হৈছে। উদাহৰণ স্বৰূপে অগ্নি প্ৰজ্জ্বলনৰ সময়ত যি সামেধেনী মন্ত্ৰৰ ব্যৱহাৰ আছে তাৰ সংখ্যা সপ্তদশ, অনুৰূপ বাৰমাহ পাচ ঋতুৰ (হেমন্ত শিশিৰ একেলগে ধৰা হয়) সলনি স্থান পাইছে। ঐতৰেয় ব্ৰাহ্মণত আছে "সপ্তদশোবৈ প্ৰজাপতি দ্বাদশমাসাঃ পঞ্চৰ্তবো হেমন্তশিশিৰয়োঃ সমানেন তাবান্ সংবৎসৰঃ প্ৰজাপতি ইতি"। এই বাৰমাহ ঋতুৱে সৃষ্টি যজ্ঞৰ 'বসন্ত অস্যাসীদাজ্যম্' ইত্যাদিলৈ মনত পেলায়।

যজ্ঞৰ এই তাৎপৰ্য্যই বিশদভাৱে ভাৰতীয় আৰ্য্যৰ মন অধিকাৰ কৰিছিল। যজ্ঞ বাদ দিলে বৈদিক ভাৰতীয় সমাজ বিকলাঙ্গ হৈ আমাৰ কল্পনাত প্ৰতিফলিত হব। যজ্ঞৰ মূলতত্ত্বই জীৱনৰ যাবতীয় কৰ্ম্মকেই অৰ্থ পূৰ্ণ কৰি তুলিছিল। যি কৰ্ম্মই ত্যাগৰ ওপৰত প্ৰতিষ্ঠিত সিয়েই যজ্ঞ হৈ পৰিল। নানাবিধ, দ্ৰব্যযজ্ঞ, তপোযজ্ঞ যোগযজ্ঞ জ্ঞানযজ্ঞ ইত্যাদি। ফলত মানুহৰ জীৱনটোৱেই এটা দীঘলীয়া যজ্ঞ, আৰু দেবযজ্ঞ পিতৃযজ্ঞ ভূত যজ্ঞ নৃযজ্ঞ ব্ৰহ্মযজ্ঞ পাচটি ঋণৰ হৈ পঞ্চযজ্ঞ হল জীৱনযজ্ঞৰ অঙ্গসমূহ। জীৱন যজ্ঞত শেহত আত্মাহুতি, সেই বিৰাট সত্তালৈ আত্ম-নিবেদন. তেওঁৰ কাৰ্য্যত সৰ্ব্বপ্ৰকাৰে আত্মনিয়োগ। এয়েই "ব্ৰহ্মাপণং ব্ৰহ্মহবিঃ ব্ৰহ্মাগ্নৌ ব্ৰহ্মণা হুতম্"। পিছৰ ভক্ত বৈষ্ণৱৰ দেহ অৰ্পণৰ মূলতেই এই তত্ত্বটোহে. যি আত্মসমৰ্পণ কৰিব পাৰিছে তেওঁ জীৱন্মুক্ত কাৰণ "য এবং সৃষ্টিযজ্ঞং জানাতি স জন্মহীন মুক্তো ভৱতি"—সাবল্যব্ৰাহ্মণ।

এই তত্ত্বটিৰ কঠোৰনিৰ্দ্দেশতে শ শ বছৰ ধৰি ভাৰতৰ জাতীয় জীৱন পৰিচালিত হৈছে। আজিও সেই একে ত্যাগৰ মন্ত্ৰই কোটি কোটি ভাৰতবাসীৰ পাশ্চাত্যভাবচঞ্চল-চিত্ত আলোড়িত কৰিছে। এয়েই ভাৰতীয় সাধনাৰ সুকীয়া বৈশিষ্ট্য। এই সাধনাৰ প্ৰতিষ্ঠাতা উৰ্দ্ধ প্ৰপিতামহ সকলৰ প্ৰতি সহস্ৰবাৰ নমস্কাৰ!

জন সংখ্যা

গল্প— —শ্ৰীযুতা বীণা বৰুৱা

ল কলেজৰ ছাত্ৰ, পঢ়া শুনাৰ নাম গোন্ধেই নাই। পৰীক্ষাৰ আগতে এমাহ Scholarঅৰ নোট মুখস্ত কৰিলেই গেজেটত নাম উঠিব। কিন্তু পঢ়া শুনা নাই বুলিও তো মানুহক কিবা এটা কাম লাগে। শুই উঠিয়েই দুঘণ্টা ক্লাচ কৰি দিনটো কেনেকৈ কটোৱা যায় ভাবিবৰ বিষয় হৈ পৰে। খবৰ কাগজ! থৈ দিয়া, সদায়নো দুনিয়াৰ খবৰ কিমান হজম কৰিবা। প্ৰয়োজনেই বা তাত কি? জাৰ্ম্মানিত হিটলাৰৰ প্ৰচণ্ড প্ৰতাপ, বিলাতৰ পাৰ্লিয়েমেণ্টত চাৰ্চ্চিলৰ দীঘল বক্তৃতা, জেনেভাত 'ডিচ আৰমামেণ্ট কনফাৰেন্স' পৃথিবীৰ বজাৰত জাপানী বস্তুৰ ডাম্‌পিং, চিলেক্ট কমিটিৰ হাতত হোৱাইট পেপাৰ, হলিউডৰ মেৰেইজ। পঢ়ি পঢ়ি আৰু শুনি শুনি বদ হজম হৈছেগৈ। ৰাতিপুৱা কলেজ কৰি উঠি এক চক্কৰ দিওঁতেই অলপ যি ভাল লাগে। ভাল লাগিবৰ আৰু কাৰণো আছে। কলেজ ছুটী হোৱাৰ লগতেই গাৰ্ল হাইস্কুলৰ ছোৱালী ভৰা ভায়লেট ৰঙৰ বাচখন যায়হি হোষ্টেলৰ ওচৰেদিয়েই। হোষ্টেলৰ ওচৰতে এজন ধনী উকিলৰ ঘৰ—তেওঁৰে ছোৱালীজনীক নিবলৈকে বাচখন এই ফালেদি আহে। মটৰখনৰ হৰ্ণটোৰ শব্দটো বৰ আপোনাৰ হৈ পৰিছেহি—নুশুনিলে এদিনো থাকিব নোৱাৰোঁ। ড্ৰাইভাৰটোকো ধন্যবাদ দিব লাগে। বেচেৰাই হৰ্ণ বজাই সদায় আমাকে আগমনি জনায়। ড্ৰাইভাৰটোৱে ইচ্ছা কৰিয়েই হৰ্ণটো শুৱলাকৈ বজাই আমাক আহ্বান কৰে গাৰীখন চাবলৈ। চুলি মেলি খিল্‌খিল্‌কৈ হাঁহি থকা এপাল ছোৱালী লগত লৈ ফুৰোৱাটোই বপুৰাৰ বাহাদুৰী। আলিৰ কাষত বৈ বাচখন চকু টিপ নমৰাকৈ চোৱায়ে আছিল কলিতা আৰু মোৰ নিত্য নৈমিত্তিক কৰ্ত্তব্য। অৱশ্যে কলিতাৰ স্বাৰ্থৰ মাত্ৰাটো আছিল সৰহ—তেওঁৰ ভাবী জীৱন নায়িকাও তাতে উঠিয়েই স্কুললৈ অহা যোৱা কৰে। মই সহচৰ হওঁ বুভুক্ষ প্ৰাণ লৈ আৰু উভতি আহোঁ এটা তপত নিশ্বাস পেলায়।

ৰবিবাৰেই এই কাৰ্য্যৰ ব্যতিক্ৰম ঘটে। 'চেবাথ ডে টোৱে" আহি আমাৰ দৈনন্দিন কাৰ্য্য তালিকা ওলট পালট কৰি দিয়েহি। কামৰ ভিতৰত হয় পুৱা ৯ বজালৈকে শোৱা আৰু দুপৰীয়া দুইবজালৈকে চাবোন সানি গা ধোৱা। চাহাব মেম সকলে বোলে শুকুৰ বাৰে নিশা ভালকৈ তেল-টেঙ্গা ঘহি গা ধুই লৈ তৈয়াৰ হয় শনিবাৰে 'বল' নাচলৈ যাবলৈ। আমাৰ গা ধোৱাত তেনে 'অলটিৰিয়ৰ মটিভ' নাই। মতলব থাকিলেও অৱশ্যে সৌভাগ্যৰ বাট নাছিল।

সেইদিনা ৯ বজাত শুই উঠি ডিঙিত গামোছাখন পেলাই 'পাৰফেক্‌চন টুথব্ৰাচ' ডালত কলিনচটো টিপামাৰি দি ৰুমৰ পৰা পানীৰ টেপটোৰ ফাললৈ ওলাইছোঁ। ব্ৰাচ ডাল মুখত দুঘহামান মাৰোতেই ফেনে ফোটোকাৰে গোটেইখন মুখ ভৰি পৰিল। টেপটো আছে মোৰ ৰুমটোৰ সিটো মূৰত—অৰ্থাৎ হোষ্টেলটোৰ এটা মূৰত মোৰ ৰুম আৰু সিটো মূৰত টেপ। গতিকে টেপৰ ওচৰলৈ যাওঁতে গোটেইখন বাৰাণ্ডা চেৰাই যাব লাগে আৰু তাকে কৰোতেই গোটেই হোষ্টেলবাসীৰ লগত পুৱা প্ৰাতঃ নমস্কাৰ আদান প্ৰদানৰ সুযোগ আৰু সুবিধা মিলে। বেলি দুপৰত শুই উঠা দেখি সঙ্কোচ বিশেষ একো নাছিল। কিয়নো ভালেমান সতীৰ্থই তেতিয়াও পাটীত পৰি ইকাটি সিকাটি কৰিয়েই আছে। টেপটোৰ কাষৰ ৰুমটো ফুকন আৰু বৰুৱাৰ। এই ৰুমটোৰ প্ৰতি হোষ্টেলবাসীৰ বৰ মৰম। পুৱাই মুখ ধুবলৈ আহি সকলোৱে ইয়াত এবাৰ ভুমুকি নমৰাকৈ নাযায়। বিশেষতঃ এজনে টেপটোৰ সদ্ব্যৱহাৰ

কৰিলে বাকী কেইজনে তেওঁৰ প্ৰক্ষালন কাৰ্য্য শেষ নোহোৱা পৰ্য্যন্ত ফুকনহঁতৰ কমত আড্ডা দিয়ে। টেপৰ ওচৰলৈ যাওঁতেই ফুকনৰ কমত কেইবাজনেও থুপ খাই "ইণ্টাৰ নেশ্যনেল টপিকৰ" বাক-যুদ্ধত লাগি গৈছে। মইতো তৰ্ক শাস্ত্ৰত মহা ব্যাঘ্ৰ। গতিকে মোক দেখা মাত্ৰকে যুদ্ধং-দেহি, 'যুদ্ধং দেহি' বুলি আটাইখনে আটাহ পাৰি উঠিল। মুখত এমোকোৰা ফেন লৈ কোনো মতে ঠাৰে চিঞাৰে তৎক্ষণাৎ আহিম বুলি বুজাই টেপৰ কাষ চাপি মুখ ধোৱা শেষ কৰি প্ৰথমে মূৰ ফনিয়াবলৈকে ফুকনৰ কমত সোমালো। তৰ্কৰ বিষয় বস্তু বঢ়িয়া হৈছিল—বাৰ্থ কণ্ট্ৰোল'। ডাক্তৰি বিদ্যাত পাৰ্গত নহলেও সমজুৱা সকলৰ ভিতৰত অৰ্থনৈতিকত পাকৈত তাৰ্কিকৰ অভাৱ নাছিল। আমাৰ শিৱসাগৰীয়া বৰুৱাৰ মাতটোৱেই তাত গলগলিয়াকৈ ওলাইছিল। তেওঁ উলিয়াইছে মালথাছৰ 'থিয়ৰি অৱ প্ৰোগ্ৰেশ্যন'। মালথাছৰ মতে পৃথিবীৰ জন সংখ্যা জ্যামিট্ৰিকেল প্ৰগ্ৰেশ্যন মতে বাঢ়িছে আৰু খোৱা বস্তুৰ উৎপন্ন হৈছে এৰিথমেটিকেল প্ৰগ্ৰেশ্যনত। গতিকে জনসংখ্যা কমাবলৈ ইচ্ছা নকৰিলে আটাইবোৰৰে খাবলৈ নেপাই পেট আটকাল লাগিব। বৰুৱাই কয়—ভাৰতবাসী দুখীয়া হৈছে জনসংখ্যা অতি বৃদ্ধিৰ কাৰণেই, শইকীয়া কিন্তু এইমতৰ ভীষণ বিৰোধী। শইকীয়া মানুহটোও বৰ একা চেকা; ডিপ্লমেটিকেলি কথাবোৰ কব নেজানে—মুখত যি আহে আগতে কৈ দিয়ে। তেওঁ উত্তৰ কাটিলে "থৈ দিওক হে বৰুৱা আপোনাৰ থিয়ৰি অৱ প্ৰোগ্ৰেশ্যন; আমি কেমিষ্ট্ৰিৰ মানুহ সেইবোৰ বুজ নেপাওঁ। কিন্তু এটা মৰেল চেন্স বুলিটো কথা আছে। বাৰ্থ কণ্ট্ৰোল কথাটোৱেই জানো অশ্লীল নহয়?" বৰুৱাই কথাষাৰ মুখতে ধৰি জিকাৰ খাই উঠিল—"ইস! বৰ অশ্লীলৰ কথা উলিয়াইছে? অশ্লীল কোন খিনিত? পুহিব নোৱাৰা এপাল লৰা-ছোৱালী ফুকাই হাঁ ভাত হাঁ ভাত কৰি থকা দৃশ্যটো অশ্লীলনে, নাই তাৰ প্ৰতিৰোধৰ চেষ্টা কৰাটো অশ্লীল?" শইকীয়াই যুক্তিপূৰ্ণ উত্তৰ বিচাৰি নাপাই কলে,—"এই দুয়োটা কথাকে আপুনি সানমিহলি কৰিছে কেলৈ? এটা হৈছে সামাজিক কথা আৰু ইটো হৈছে ব্যক্তিৰ morality ৰ বিষয়ে।"

—"তেনেহলে আপুনি সমাজ আৰু ব্যক্তিৰ সম্বন্ধ নাই বুলি কব খোজেনে কি? সমাজ জানো ব্যক্তিৰ সমষ্টি নহয়?" শইকীয়াই কথা কবলৈ এটা খুট পাই আগ্ৰহৰে মাতিলে। "আপুনি ভুল কৰিছে এই খিনিতে; সমাজ ব্যক্তিৰ সমষ্টি হলেও তাৰ নীতি নিয়ম ভালেখিনি সময়ত ব্যক্তিৰ লগত বাহি জোৰা নাহে। এই ধৰক,আপুনি যিটো কথা মোৰ আগত বা আপোনাৰ পত্নীৰ আগত নিসঙ্কোচে কবলৈ ভাল পাব—সেইটো কথাকে আপুনি সমাজত প্ৰচাৰ কৰিব পাৰিবনে? এনে ভালেমান কথা আছে যি ব্যক্তিৰ উন্নতিত সহায় কৰিলেও সমাজৰ আগত তাক উলিয়াব নোৱাৰি"। বৰুৱাই অলপ গহীনাই কলে, "মই হলে এই মত সমৰ্থন কৰিব নোৱাৰোঁ। যি কথাটো ব্যক্তিৰ নিমিত্তে ভাল, সি সমাজৰ নিমিত্তেও ভাল হবয়ে, সমাজ আৰু ব্যাক্তিৰ মাজৰ বেৰ ভাঙি দিব লাগিব, তেতিয়াহে আমাৰ উন্নতি।" মোৰ মূৰ ফনিওৱা প্ৰায় শেষ হৈছিল, বৰুৱাহঁতৰ তৰ্কৰ মাজলৈ ময়ো আহি মাত লগালোঁ—"আপোনালোকৰ তৰ্ক হৈছিল দেখোন বাৰ্থ কণ্ট্ৰোলৰ বিষয়ে। পিছে সমাজ আৰু ব্যক্তিৰ কথালৈ আহিল কিয়? তৰ্ক হব লাগে বাৰ্থ কণ্ট্ৰোলৰ প্ৰয়োজন আমাৰ হৈছেনে নাই? কি কয় ফুকন?" এই বুলি আমাৰ নিমিত্তে চাহ তৈয়াৰ কৰা ফুকনৰ পিনে চালোঁ? ফুকনক অলপ ওপৰলৈ তুলি দিলেই বৰ ৰং পায়; তেৱোঁ mutual appriciation ৰ সুৰত কাপত চাহ বাকিয়েই উত্তৰ দিলে—"এৰা এতিয়াহে তৰ্কত লজিক আহিব? আমাৰ মেধি নহলে মেলেই মিছা! হোৱক মেধি প্ৰথম কাপ আপোনাৰেই"। বুলি চাহ কাপটো মোৰ পিনে আগ বঢ়াই দিলে। বাকীবোৰেও নিজৰ ভাগ চমজি ললে, বৰুৱাই চাহত মুখত দিয়েই আৰম্ভ কৰিলে,—"এতিয়া আৰু প্ৰয়োজনৰ বিষয়ে নতুনকৈ প্ৰশ্ন কৰিবৰ সময় নাই। কি কি appliance ৰ সহায়ৰে ইয়াক কাৰ্য্যকৰী কৰিব পাৰি তাৰহে আমাৰ চেষ্টা হোৱা উচিত"। শইকীয়াই ব্যঙ্গ-সুৰেৰে উত্তৰ দিলে—"আপোনাৰ দেখোন 'কন্‌ট্ৰাচেপটিভ মেজাৰে ব্ৰহ্মাস্ত্ৰৰদৰে সাজু হৈয়ে আছে। লেইট্ মেৰেইজৰ নিজেই জলন্ত প্ৰমাণ। চৰ্দ্দা এক্ট অনুযায়ীও

বিয়া কৰোৱাহেঁতেন আজি ছয় বছৰৰ ভিতৰত অন্ততঃ চাৰিজন সৃষ্টি হলহেঁতেন।" দলৰ ভিতৰত আছিল ভট্টয়ে (অৰ্থাৎ ভট্টাচাৰ্য্য) আটাইতকৈ ৰসাল। শইকীয়াৰ কথা শুনি তেওঁ ব্যস্ত হৈ উঠিল—"এ, এ—শইকীয়া আপুনিতো কম অঙ্কবিদ্ নহয়। একেবাৰে আমাৰ সকলোৰে গণনা কৰি এটা approximate Statistics বাহিৰ কৰকচোন? এই Right ৰ সদ্ব্যৱহাৰ নকৰা বাবদ আইনত একো দণ্ড বিধান নাইনে? তাকো পাৰে যদি এবাৰ চাই দিয়ক?" ভট্টৰ কথা শুনি চাহৰ পিয়লা টেবুলত থৈ আমি হাঁহিবলৈ ধৰিলোঁ। হাঁহিত প্ৰাণ খুলি যোগ নিদিলে মাথোন দত্তইহে। বি-এ দি উঠাৰ পৰাই চাকৰী বিচাৰি ধন ঘটিবলৈ তেওঁৰ একান্ত হাবিয়াস, পিছে প্ৰভিন্সিয়েল চাৰ্ভিছত যিহে খোৱা কামোৰাখন চলিছে, তাতে আকৌ নমিনেশ্যন বোৰ্ডৰ মেম্বৰ আটাই কেইজন হল নামনিৰ মানুহ! স্কুল চাৰ্ভিচৰো ওৱেটিং লিষ্টত যি সকলৰ নাম আছে তেওঁলোককে যোগাৰ দিবলৈ হলেও এশ বছৰ লাগিব। গতিকে নতুন ৰিক্ৰুইট হব কেনেকৈ? কোনো পিনে মূৰ সুমুৱাবলৈ সুচল নাপাই বেচেৰাই অসমীয়া ল'ৰাৰ নিমিত্তে নতুন বাটৰ সন্ধান কৰি বাতৰি কাকতত এই বিষয়ো আন্দোলন চলাইছে। অসমৰ চেঞ্চাচ ৰিপোৰ্ট কণ্ঠস্থ কৰি যতে ততে ষ্টেটিচটিক্স আওৰায়। ভট্টৰ ৰসাল কথাৰ ওপৰত ভেটি কৰিয়েই দত্তই কলে,—"এৰা বেছি বয়সত বিয়া কৰোৱাটো অসমীয়া ল'ৰাৰ এটা দোষ হৈ পৰিছে। ই এটা crime। এই প্ৰথাৰ পৰা অসমীয়াৰ কিমান লোকচান হৈছে বুজিছেনে? চেঞ্চাচ ৰিপোৰ্টেই সকলো প্ৰকাশ কৰিছে। যোৱা দহ বছৰৰ ভিতৰত অসমত বিদেশী বাঢ়িছে শতকৰা পঁচিছ আৰু অসমীয়াৰ বৃদ্ধি সংখ্যা দহ; Safety lies in numbers—আমাৰ এতিয়া চেষ্টা হব লাগে জনসংখ্যা বঢ়াবলৈ। ইটালিত মুছলেনীয়ে কৰিছে কি? দিনে দিনে হাজাৰ হাজাৰ বিয়াৰ বন্দোবস্ত ষ্টেটে কৰিছে কিয়?" বুলি জ্ঞান গৰ্ভ বক্তৃতা দিয়াৰ ভঙ্গীত দত্তই আমাৰ মুখলৈ চালে। অৱশ্যে আমাৰ হাঁহিৰ ৰোল আগতেই মাৰ গৈছিল। উপযুক্ত এজন যোদ্ধা পাই বৰুৱাই আৰু যোগ দিলে—"দত্ত চাহাব আপুনি জনসংখ্যা, জনসংখ্যা কৰি থাকোঁতেই থাকিব। পিছে জনসংখ্যা তিষ্ঠে কিহৰ ওপৰত? জীৱন ধাৰণৰ আগেয়ে ব্যৱস্থা কৰিহে নতুন জীৱ সৃজন কৰা উচিত।"

—"জীৱন ধাৰণৰ যে দেশত যোগাৰ নাই তাৰ খবৰ আপুনিনো পালে ক'ত? চেন্সাচ ৰিপৰ্টখন পঢ়ি চাইছেনে—অসমতে এতিয়াও কিমান খেতি হব লগা মাটি এনেয়ে পৰি আছে। নিজৰ মানুহ নোলালে বিদেশীয়ে এইবোৰ গ্ৰাস নকৰিবনে? মাটিৰ কথা বাদ দিও অসমত অন্য বিষয়তো development আৰু উন্নতিৰ কিমান পথ আছে! মানুহ নহলে এইবোৰ মুকলি কৰি দিব কোনে?" বৰুৱাই অলপ অসন্তোষ প্ৰকাশ কৰি কলে—"এইবোৰৰ নিমিত্তে আমাৰ জনসংখ্যাৰ বৃদ্ধি নালাগে—লাগে Man-power. দত্তই উচাৎ মাৰি উঠিলে,—"বৰুৱা আপুনিনো কি যুক্তিহীন কথাবোৰ কয়? মানুহ নহলে মানুহৰ শক্তি হব ক'ৰ পৰা? অস্বাস্থ্যকৰ ঠাই, মাৰি-মৰকতে বছৰে বছৰে অসমীয়া মৰি খাস্তাং হব লাগিছে—আৰু আপোনালোকে য়ুৰোপীয় জাতিক দেখি উলিয়াইছে বাৰ্থ-কণ্ট্ৰোল। নিজে ভাবি দেশৰ উন্নতিৰ নিমিত্তে প্ৰয়োজনীয় আঁচনি কৰিব নোৱাৰাতে অসমৰ এই দুৰৱস্থা। আপোনালোকে ভাবিছে যে জনসংখ্যা হ্ৰাস কৰি মানুহৰ আৰ্থিক অৱস্থা টনকীয়ালে কৰিবলৈকে বাৰ্থ-কণ্ট্ৰোল প্ৰণালীৰ জন্ম। ই তেনেই ভ্ৰান্ত ধাৰণা। য়ুৰোপীয়সকলৰ নৈতিক নিয়মত বান্ধোন ঢিলা হৈছে, তাক টান কৰিবলৈহে এই প্ৰথাৰ আবিৰ্ভাৱ। বাৰ্থ-কণ্ট্ৰোল নোহোৱাহেঁতেন য়ুৰোপত দিনে দিনে কত Bastard ৰ জন্ম হলহেঁতেন। আমাৰ মাজতো শিক্ষিত সকলে এই কাৰণেই বাৰ্থ-কণ্ট্ৰোলৰ Slogan গাইছে। দত্তৰ সাৰগৰ্ভ সমালোচনা শুনি আমাৰ মুখত হাঁহি বিৰিঙিছিল। ভট্টই হাঁহি সামৰিব নোৱাৰি ঢেক-ঢেকাই উঠিল,—"ব্ৰেভো দত্ত চাহাব ব্ৰেভো! ধন্য আপোনাৰ dry figures ৰ চেন্সাচ ৰিপোৰ্ট। আপোনাৰ গবেষণা, অনুমান, থিয়ৰি, হায়-পথেচিচ—সকলোৱেই ধন্য। ঠিক ঠাইতেই আপুনি শৰ মাৰিছে। এই যে হোষ্টেলত দাঙ বৰলাগাল আছে

আক সৌট 'লুই মেমোবিয়েলত' যে আবিষ্কে কেইজনী আছে—তেওঁলোকে বাক বিয়া কবোৱা নাই কিয়? আৰি মেৰেইজবতো কথাই নাই, লেইট্ মেৰেইজবো দিন উকিল গল!" ভট্টই আক কিবা কৰেহঁতেন, হঠাতে শইকীয়াই যোগ দিলে—"অ'ল্ড মেৰেইজোটো আজিকালি হৈছে! ভট্টভায়াই ভয় খাইছা কিয়?" বন্ধুমহলৰ আনন্দৰ কিবিলিত ৰব নোৱাৰি উজান দি কলা,—"কিন্তু দত্ত, মই হলে আপোনাৰ কথাত সম্পূৰ্ণভাৱে যোগ দিব নোৱাৰিলোঁ। যদি জনসংখ্যাৰে ইমান প্ৰয়োজন তেন্তে "টেষ্ট-টিউব-বেবী" তৈয়াৰ কৰিবৰ নিমিত্তে চেষ্টা নকৰে কিয়? জইণ্ট ষ্টক কোম্পানি কৰি ফেক্টৰি খোলক, 'অভাব প্ৰডাক্টচন' কৰি দেশৰ মাৰ্কেট ভৰাই দিয়ক। সস্তা দামত ভাল বস্তু পালে মানুহে নিকিনিব কিয়? তিবোতাসকলবতো 'লেবাৰ পেইনৰ' পৰা বক্ষাই হব। দহমাহ দহ দিনৰ কষ্টৰ কথা বাক বাদেই দিছোঁ।" মোৰ উপদেশ শুনি বহুতা ভট্টই আকৌ খিলখিলাই উঠিল—"বেচ্ মেৰি বেছ! অপুনি ভাল 'টেষ্ট-টিউব বেবী'ৰ কথা সৌৱৰাই দিলে! বস্তুটো আমাৰ নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে। লবাছোৱালী এনেভাৱে বজাৰত কিনিবলৈ পালে আমাৰ তেও মাক বাপেকইতৰ মহা আনন্দই হয়। লবাছোৱালী জন্ম দি—সভাই-সমিতিয়ে সেইবোৰ লগত লৈ ফুবোৱা আজিকালিৰ তিবোতা সকলে নিলাজ কথা ভাবিছে। এইবাৰ পূজাৰ বন্ধত ঘৰলৈ যাওঁতে নিজৰ ঘৰতে ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ পাই অহা হৈছে। নবো ওলাল মহিলা সমিতিৰ বছেৰেকীয়া অধিবেশনলৈ, কিন্তু পিয়াহ খোৱা ছমহীয়া কেচুৱাটো গটাই দি গ'ল চাকবণীৰ হাতত, লগত লৈ গলে সমাজৰ বৰ মুবীয়া কেই গবাকীয়ে বোলে হাঁহিব। দত্তয়ো কথাটো শুনি থৰঙ্ক। তেখেতে জনসংখ্যা বৃদ্ধি কৰিবলৈ বিচাৰেঁতে মাকহতে 'নন- কো-অপাবেশ্যন' কৰি ভবিষ্যতে লবা নুফুকুৱাও বুলি 'ষ্ট্ৰাইক' নকবিলেহে বক্ষা।" ভট্টৰ বিদ্ৰূপপূৰ্ণ পাতল কথাত বক্তাৰ মুখ উটিল। ছোৱালী সকলৰ প্ৰতি তেখেতৰ বিশেষ শ্ৰদ্ধা; তেখেতৰ এই গুণটি ছোৱালী মহলতো বিশেষ ভাৱে প্ৰচাৰ হৈছে। বিশেষতঃ ওৱাহাটীৰ ছোৱালী আক মহিলা সকলৰ তেখেত সোঁহাত। মাতৃজাতিক এনেভাৱে হেয় কবাত সহিব নোৱাৰি তেখেতে চুমুহমাই উঠিল,—"আপোনালোকে তিবোতাৰ প্ৰতি এনে মত প্ৰকাশ কবা উচিত হোৱা নাই। তিবোতাৰ বিষয়ে কিবা কবলৈ যোৱাৰ আগতে নিজৰ মাক-ভনীয়েকৰ কথা সৌৱৰা উচিত।" বক্তাই নাৰীজাতিৰ প্ৰতি ভক্তিত আপ্লুত হৈ আক কিবা কলেহেঁতেন এনেতে ঈশ্বৰ প্ৰেৰিত দূতৰ দৰে চুৱাৰ মুখত চুগবাকী মহিলাৰ হঠাৎ উপস্থিতি সকলো স্তব্ধ হৈ গল। বয়সস্থ গবাকী, মহিলা সমিতিৰ সম্পাদিকা, আক আমাৰ লগতে পঢ়া বীবেণ বক্তাৰ মাক, ইণবাকী কলেজৰ চেকেণ্ড ইয়েৰৰ গীতা চৌধুৰী। হোষ্টেলত মহিলাৰ প্ৰবেশ এটা প্ৰথাৰ দৰেই হৈ পবিছে। বিশেষতঃ বাজহুৱা কামৰ চাঁদা সংগ্ৰহৰ বাবটো মহিলা সকলৰ গাত পবাত তেখেত সকলৰ গতি অবাধ! অৱশ্যে ইয়াৰ পৰা সকলোবে সুবিধা—বাজহুৱা পুখুৰি মোনাতো ধন সবহকৈ পবিছে। মহিলাদ্বয়ক বক্তা আক চুকনে আগবাঢ়ি আহি ভিতবলৈ মাতি নিলে। আমি সুব-সুবকৈ কমৰ পৰা ওলাই আহিলোঁ।

মহিলা সমিতিৰ উদ্যোগত ছোৱালীহঁতে থিয়েটৰ পাতিবলৈ যো-জা কবিছে। তেওঁলোকৰ বিহাঁচেল আক গান বাজনাৰ প্ৰধান সহায় আমাৰ বক্তা আক চুকন। বক্তাৰ গুণৰ বিষয়ে উল্লেখ কবাই হৈছে। চুকনো এই বিষয়ে পবিমবা নহয়। চুকন নাচ-গানত ওৱাহাটী চহবতে খ্যাতিবন্ত। যোৱাবাৰ কলিকতালৈ গৈ স্বচক্ষে উদয় শঙ্কৰৰ অবিয়েণ্টাল ডান্স চাই, আহি গোটাই, তাবেই এতিয়া বেহা চলাইছে। মহিলা সকলে আহিছিল তেওঁলোকক ছুপবীয়াকৈ বিহাৰ্চেললৈ মাতিবলৈ। থিয়েটাৰ অহা শনিবাবলৈ হবছে লাগিব। কিন্তু সমিতিৰ টকাবো বৰ প্ৰয়োজন হৈ উঠিছে। অহা মাহতে চৰ্দা আইন ভাঙি কেইবা গনো বিয়া হবৰ আগন্তুক চলিছে। এই অন্যায়ৰ প্ৰতিবোধ কবিবৰ নিমিত্তে আইনৰ সহায় লবলৈ টকাৰ বিশেষ দৰকাৰ। তাৰ নিমিত্তে যথোচিত প্ৰতিবিধান কবিবৰ নিমিত্তে 'অল ইণ্ডিয়া

অ'মেন' (All India Women) কনফাবেন্সৰ পবাও চিঠি আহিছে।

পিছৰ সপ্তাহ বক্তা আক চুকন থিয়েটাৰৰ নিমিত্তে বিশেষ ব্যস্ত। কোনজনী ছোৱালীক কি সাজবে উলিয়ালে দেখিবলৈ শুৱনী হব, কোনজনীয়ে কি দবে নৃত্য কবিব, তেওঁলোকৰ খাওঁতে লোওঁতে তাবেহে চিন্তা। ভালেখিনি সময়ত তেওঁলোকৰ কথাৰ আহ ভালকৈ বুজিব নোৱাৰি আমনি লাগিছিল। যিহওক, বক্তাইতৰ যহতেই আমাৰ হোষ্টেলৰ কেইবাজনেও কম্প্লিমেনটেবী টিকেট লাভ কবিলেহিক। নাটকখন আছিল "সোলোক চোলক।" পুকুষে কাম কবিবলৈ সভা সমিতিত প্ৰস্তাৱ দাঙি ধবি কাৰ্য্য ক্ষেত্ৰত কেনে সোলোক চোলক কবে তাকে ব্যঙ্গ কবি বৰ্ণোৱা হৈছে; তিবোতাৰ সহায় নহলে পুকুষৰ কাম ভবিষ্যতলৈকো যে এনে হৈয়ে থাকিব তাবো সন্দেহ দিছে। থিয়েটৰ নাচ-গানবে পবিপূৰ্ণ হৈ বঢ়িয়া হৈছিল। দৰ্শকৰ সংখ্যাও বেছি। নাটকৰ প্ৰধান চবিত্ৰ ডেকা কৰ্ম্মী চম্পক বৰুৱাৰ ভাও লৈছিল গীতা চৌধুৰীয়ে। তেওঁ জানিবা সঁচাকৈয়ে অসমীয়া ডেকা লবাইতৰ কামক উপলুঙা কবি হাঁহিবলৈহে ষ্টেজত উঠিছিল। আমাৰ কিন্তু ভাৱনীয়া সকলৰ অঙ্গী ভঙ্গীতকৈ তেওঁলোকৰ দেহৰ প্ৰকৃত লাৱণ্য আক কমনীয়তা লৈহে বৰকৈ চকু গৈছিল। ঈশ্বৰৰ ইচ্ছাত বক্তা আক চুকন দুয়ো গ্ৰীণকমত থাকিব লগা হোৱাত আমাৰ গুপুতৰ কথা আলচ্ কবিবলৈ সুবিধাই হৈছিল। বিবাহ উপযোগ্যা প্ৰতি জনী অভিনেত্ৰীৰ ওপবতে 'পাৰ্চলেন ক্লেইম' কবি সঙ্গী সকলৰ মাজত তৰ্ক লগাই বেছ্ উপভোগ কবিছিলোহক।

থিয়েটৰ শেষ হোৱা কেইবাদিনো হ'ল। কিন্তু উৎসৰ শেষ হলেহে উদ্যোগ কৰ্ত্তা সকলৰ গল্প কবিবৰ সময় হয়। আমাৰ হোষ্টেলতো কেইবা দিনৰৈকে ছোৱালীহঁতৰ পটুতা, সৌন্দৰ্য্যৰ পবিকল্পনা আদিৰ বিষয়ে আলোচনা চলিল। কিন্তু এটা কথা, প্ৰায় থিয়েটৰ হৈ যোৱাৰ পিছৰ পবা বক্তা চুকণৰ মাজত মনো-মালিন্যৰ সৃষ্টি হোৱা যেন আমাৰ অনুমান হল। এই অনুমান দৃঢ় হল যিদিনাই আমি চুকনক বক্তাৰ লগৰ পৰা 'চিট' (Seat) সলনি কবি অন্য এটা খালি হৈ থকা কমলৈ অহা দেখিলোঁ। দুই নলে গলে লগা বন্ধুৰ হঠাৎ এনে পবিবৰ্ত্তন দেখি সকলোৱে আচবিত মানিলে। পিতাকৰ অজস্ৰ টকা থকাৰ কাবণেও বক্তাৰ লগ এবিব লগা হব বুলিয়েই চুকনে ঘোৱা বছৰ কলিকতাত পঢ়িবলৈ নগৈছিল। কিন্তু এতিয়া সেই চুকনবে অন্তৰ বক্তাৰ প্ৰতি হিংসা-দ্বেষ আক ঘৃণাত ভবি পবিল। সুবিধা পালেই চুকনে বক্তাৰ প্ৰতি তুচ্ছ তাচ্ছিলাৰ ভাব প্ৰকাশ কবি বিদ্ৰূপ কবিবলৈ ধবিলে, আগেয়ে দুই বন্ধুৱে একে লগ নহলে হোষ্টেলৰ পৰা এখোজো নলবিছিল।—কিন্তু এতিয়া এজন বাহিবলৈ ওলাই গলে অন্য জনে ভয় আক সঙ্কোচবে তেওঁৰ যাতায়াতৰ পথ নিবীক্ষণ কবে। কিন্তু ইমান এটা ডাঙৰ পবিবৰ্ত্তনে আমাৰ চকুত ভুৰা দি সবহদিনলৈ থাকিব নোৱাবিলেহেতেন। ইয়াৰ মূল কাবণৰ শিয়া কোন খিনিত আমি একবকম ধবিছিলোঁহেই; পিছে বন্ধুত্বয়ে মেলিয়া আমাক উপযাচি কথাবোৰ কবলৈ বেয়া পাইছে—আমিনো তেওঁলোকক সোধো কিয়। আমিও ইচ্ছা কবিয়েই পবিবৰ্ত্তনৰ প্ৰতি লক্ষ্য নাই কবা যেন দেখুৱাই ফুৰ্ত্তিময় হোষ্টেলীয়া জীবনত গা এবি দিলোঁ।

বেলি থকাবে পবা হার্ড-ক'ৰ্ট (Hard court) খনত টেনিচ বল মবিয়াই থেকেটৰ ষ্ট্ৰোক চিড়ি আমনি লাগি অকলশবে নদীৰ পাৰলৈ ওলাই গৈছিলোঁ। টেনিচ খেলাত অৱশ্যে বিশেষ ভাগৰ লগা নাছিল। কষ্ট হৈছিল বলবোৰ বুটলি অনাতহে। মেটোবৰ লবা চুটাও আজি নাহিলে। সন্ধিয়াৰ সময়ত ওৱাটাৰ ৰ্ক্সৰ ওচৰৰ বেঞ্চত বহি ভাল লাগে। বতাহ নিবলৈ আকৌ নহয়। ভাল লাগে ডেকা ডেকেৰীহঁতৰ লাহ-বিলাস আক হাঁহি-ধিকিন্দালি চাইহে। সেই কাবণেই সন্ধিয়া বহুইতৰ লগৰ এবাবৰ সুবিধা পালেই ফোঁ-ফোঁৱাই কোব লওঁ সেই "স্পট্" (spot) ডোখবলৈ। উদং হৈ পবি থকা বেঞ্চ এখন দেখি দখল কবিবলৈ টোঁৱাই গৈছোহেক, এনেতে আঁতৰৰ অন্য এখন বেঞ্চৰ পৰা আহ্বান

আহিল,—"হেবী মেধি ইয়ালৈকে আইক।" ঘৰি চাই,—"অ' আমাৰ মিঃ ফুকন দেখোন?" বুলি ওচৰ চাপি গলোঁ। বেঞ্চত অকলে তেওঁহে; মই ৰাওঁতেই ফুকনে জেপৰ পৰা কমাল উলিয়াই বেঞ্চৰ ওপৰখন জোকাৰি ৰহিবলৈ দিলে।

—"পিছে, আপুনিনো এই সন্ধিয়াখন অকলে অকলে বহি ইয়াত কি কৰিছে?"—এই বুলি তেওঁৰ মুখলৈ চালোঁ।

—"এ, আহোঁতে লগৰেই আহিছিলোঁ। গীতা আৰু তেওঁৰ মাকক ঘূৰাবলৈ আনিছিলো, তেওঁলোকক আৰ' ছোৱালী কেইজনী মানে ধৰি ছোষ্টেললৈ লৈ গল। গতিকে মই এই ফালেই ওলাই আহিলো।" কথাখিনি কোৱাত ফুকনে যেন গৌৰৱান্বিত বোধ কৰিছিল। নকৰিবকো কথা নাই। শুৱনী গাভৰু ছোৱালী এজনীৰ লগত ঘূৰিবলৈ পালে গা তিনি নাচ কৰি মুঠে জানো? গীতা ওৱাহাটীৰে আৰকাৰী ইন্সপেক্টৰ মহেন্দ্ৰ চৌধুৰীৰ জীয়েক। কলেজত পঢ়ে। পঢ়া শুনাত চোকা ও, দেখাতো শুৱনী; নব্যযুগৰ চাল চলনতো তেনেই পাকৈত। দেউতাক আৰকাৰী বিভাগৰ মানুহ যেতিয়া টকা পইছাৰ প্ৰশ্ন উঠিবই নোৱাৰে। গীতাই টেনিছ খেলে, ব্ৰীজ জানে, পিংপঙৰ চেম্পিয়ন। গান গায়, মিঠা মাত। কলেজ চচিয়েলত' আবৃত্তি কৰে; বান পানীৰ 'চেৰিটি পাৰ্ফৰ্মেন্স' ডান্স' (Dance) কৰে। লৰাৰ লগত ঘূৰে বুলি কোৱা বাহুল্য মাথোন। সাধাৰণতে ছোৱালীয়ে লৰাৰ লগ বিচাৰে প্ৰয়োজনৰ কাৰণে, অলৈ তলৈ যোৱাত সহায়ৰ অৰ্থে। কিন্তু গীতাই লৰাৰ লগত ঘূৰে মানুহক দেখুৱাবলৈ, যে লৰা-ছোৱালীৰ মাজত বিভিন্নতা নাই। তেওঁৰ মতে ঈশ্বৰে মতা-তিৰোতাক নন-কো-অপাৰেশন কৰিবলৈ পৃথিবীলৈ পঠোৱা নাছিল। কলেজত ছোৱালীৰ সংখ্যা কম, সেই কাৰণেই গঢ় হিছাবে তেওঁলোকৰ 'এড মায়াবাব' সংখ্যা সৰহ। শুৱনী ছোৱালী দেখিলেই বিয়া কৰি নিজৰ এক চেতীয়া সম্পত্তি কৰাৰ অভিলাষ সকলো ডেকা লৰাৰ অন্তৰতে আছে। ধুনীয়া তিৰোতা লগত নি টি পাৰ্টি খাবলৈ গৈ অতিথি সকলৰ চকুত চমক লগোৱা আজিকালি সমাজত এটা ফেশ্বন হৈ পৰিছে। গীতাৰ নিচিনা ছোৱালীৰ যে 'এড্ মায়াবাব'ৰ সংখ্যা বিশেষ বেছি হব—তাত আচৰিত কি? কলেজৰ লৰাৰ নোট বহি মেলি চালেই ফুলকটা আখৰৰে লিখা গীতাৰ নামটো প্ৰথমেই ওলাই পৰিব। গীতাৰ অন্তৰঙ্গ বন্ধু বা প্ৰণয়াকাঙ্খীৰ ভিতৰত ব্ৰেকেটত প্ৰথম স্থান পাইছিলে আমাৰ বকৰা আৰু ফুকনেই। ই অৱশ্যে শুনা কথা। আমি নিজে তেওঁলোক দুয়োকে এই বিষয়ে কেতিয়াও একো সোধা নাই। বিশেষতঃ দুয়ো বন্ধুৱে আমাৰ আগত তেওঁলোক নৈতিক বলত আমাতকৈ ভালেখিনি ওপৰত বুলি সহ কৰে। তিৰোতাৰ লগত ভাৰৰ আদান প্ৰদান নকৰিলে তেওঁলোকৰ মতে তিৰোতাৰ প্ৰকৃত সম্মান আৰু মৰ্য্যাদাৰ বিষয়ে বুজিব নোৱাৰি। যি বোৰ লৰাই কেতিয়াও ছোৱালীৰ লগত ঘূৰা-চকা কৰা নাই, তেওঁলোকৰহে মন বোলে পাপ ভাৰেৰে কলুষিত। এই কলুষৰ পৰা উদ্ধাৰ পাবলৈ আমাৰ অৱশ্যে একো পন্থা নাছিল।

ভাগৰত ক্লান্ত হৈ সেই সন্ধিয়া বেলিকা ফুকনৰ লগত কথা-বতৰা পাতিবলৈ মই তেনেই অপ্ৰস্তুত আছিলোঁ। বিশেষতঃ "কমন ইন্‌টাৰেষ্টৰ" একো 'টপিক' মনত নপৰাত, কথাৰ লাচতে ফুকনক সুধিলোঁ,—"ফুকন, আপোনাৰ বিয়াৰ কি কৰিলে? খবধৰ কৰক। ফাইনেল দি যোৱাৰ আগতে খাই যাওঁ। পৰীক্ষা শেষ কৰি এবাৰ ঘৰলৈ গলে চুনাই আৰু কত ওলাব পাৰিম।" ফুকনে ভাবপূৰ্ণ সুৰেৰে উত্তৰ দিলে,—"এবা মেধি, বিয়াখন সোনকালে পাতিব লাগিল। নহলে পিছত বহুত শত্ৰু লাগিছে। কেতিয়া কি অঘটন ঘটাই কব নোৱাৰি।" মই পাত্ৰীৰ বিষয়ে একো নজনাৰ ভাওধৰি বৰ আগ্ৰহৰে সুধিলোঁ ;—'অ' আপুনি মনে মনেই হবলা সকলো ঠিক ঠাক কৰি থৈছে? পিছে ছোৱালীনো ক'ব?" মোৰ কথা শুনি আচৰিত হৈ ফুকনে কলে "ইছ সচাঁকৈয়ে মেধি, আপুনি ছোৱালীৰ কথা শুনা নাই?" মই আগবঢ়ৰেই উত্তৰ দিলোঁ "আপোনালোকে কলেহে জানিম। আজিকালি আৰু আমাৰ নিচিনা দুখীয়া মানুহক আপোনালোকে নোসোধেই।"

শেষৰ কথাষাৰি বেজাৰবে কলো। মোৰ অজ্ঞানতাক গুতৌ কৰি ফুকনে উৎসাহৰে উত্তৰ দিলে "গীতাৰ লগতেই মোৰ ঠিক হৈ গৈছে। হোষ্টেলৰ আটাইখনেই দেখোন কথাটো জানে।" কথাটো ফুকনেই ছোষ্টেলত ৰটি ফুৰিছিল, মই মিছাতেহে নজনাৰ ভাও ধৰিছিলোঁ আৰু অলপ টেঙ্গৰালি কৰি কলোঁ "এ আমি আকৌ গীতাৰ লগত আমাৰ বকৰাবহে বিয়া একেবাৰে ঠিক হৈ গৈছে বুলি শুনিছিলোঁ; বকৰাই কাৰোবাক কথাটো কৈছেও।" কথাষাৰি শেষ হবলৈহে পালে ফুকন গঙত তেনেই গৰ্জ্জি উঠিল। "ইছ্ সেই Scoundrel টোক বিয়া দিবলৈ নাপাইছে চৌধুৰী মৰিছে? তাৰ পৰাই মোৰ মত লাগে মানে অনিষ্ট হব লগা হৈছে। সি মোৰ ওপৰতে দাঁও মাৰিবলৈ ওলাইছে। বুজিছে মেধি, নীচ মনৰ মানুহৰ লগত 'ফ্ৰেণ্ডচিপ' কৰিলে এনেকুৱাহে হয়।" উত্তৰৰ প্ৰত্যাশাত মোৰ মুখলৈ চালে। মোৰ ছষ্টালি অভিসন্ধিৰ ফল ফলিলে বুলি আন্ধাৰতে নেদেখাকৈ মিচিক কৰে হাঁহি আচৰিত হোৱাৰ দৰে সুধিলোঁ—"বকৰাৰ প্ৰতি আপোনাৰ ইমান খং উঠিছে কিয়? তেওঁ কৰিলে কি?" আগতকৈও দুগুণ খঙেৰে চিঞৰি উঠিল "সুধিছেছে কি কৰিলে বুলি, আপোনা লোকৰ এনে কথাইতেন তাক টুকুৰা টুকুৰ কৰি কাটিলেহেঁতেন। সি গৈ মোৰ বিপক্ষে গীতাক লগায় গৈ— মই নাচ গান কৰোঁ যদিও মোৰ হেনো Artistic sense নাই? তাৰ নিচিনা নকল কৰা কবিতা দুটা আৰু ছোৱালীবোৰৰ মন আকৰ্ষণ কৰিবলৈ লিখা ফপহতা গল্প চাৰিটা লিখিব নোৱাৰিলে মোৰ literature ত হাত নোহোৱা হ'ল। গল্প লিখাও এটা কথা ইচ্ছা কৰিলেই মাহে মাহে কত গল্প লিখি মাহেকীয়া কাগজৰ পাত ভৰাই দিব পাৰোঁ! গল্প লিখা আকৌ এটা আৰ্ট, তাতো আৰু বাহাদুৰী বিচাৰে" আচল কথাটোৰ সন্ধেৰ বিচাৰি আগ্ৰহেৰে সুধিলোঁ—"তেনেহলে গীতাক বকৰালৈ দিয়া কথাটো মিছাহে? আমি শুনিছিলো গীতাৰ দেউতাকে বোলে বকৰাক ববকৈ লাগিছে। বকৰায়ো প্ৰভিঞ্চিয়েল চাৰ্ভিচৰ নমিনেঞ্চনৰ ৰিজাৰ্ভ নোলোৱালৈকে বাট চাবলৈ গীতাৰ দেউতাকক ধৰিছে।" বিজ্ঞপৰ সুৰেৰে ফুকনে কলে,— থৈ দিয়ক হে তাৰ ফোপজহি কথাখন। সি ভাবিছে এইবাৰ পৰীক্ষাত ফাষ্ট হৈছে বুলিহেই গৱর্ণমেণ্টে তাক কাম দিব। অকল পৰীক্ষাৰ ফলাফলৰ ওপৰত নির্ভৰ কৰাহেঁতেন কথাই নাছিল। পৰীক্ষাটো ডিভাগ হয় দেখিছেই নহয়? হাকিম হব বুলি বৰ কথা মাৰি চৌধুৰীৰ মন ভুলাইছে। সিদিনা উপযাচি তেওঁলোকৰ লগত বশিষ্ট লৈ গৈ 'পিকনিক' যাই আহিছেগৈ। চৌধুৰীয়ে মোকহে লগত লৈ যোৱাৰ কথা কৈছিল। সি আকৌ মোৰ এনগেজমেণ্ট আছে, মই যাব নোৱাৰিম বুলি টেঙ্গৰালি কৰি তেওঁক ফুচুলালে। মই গীতাক ওৱাৰনিং দি দিছোঁ তাৰ লগত হলিগলি নকৰিবলৈ। গীতাৰ মাকেও গীতাক কেইবাদিনো এই কথা কৈছে। বেচেৰীৰ গাত কি দোষ? সিহে লাজ নোহোৱা মানুহৰ দৰে উপযাচি তাহাঁতৰ ঘৰলৈ গৈ গীতাৰ লগত মেল জুৰেগৈ।" ফুকনহঁতৰ ভিতৰকা কথা আটাইবোৰ আগেয়েই লোকৰ পৰা শুনিছিলো, আজি জানিবা সঠিক তথ্যৰ সন্ধেৰ পালো। চৌধুৰীহঁত চানাক মানুহ, তেওঁলোকৰ মুঠৰ পৰা এটা দৰাও এবি দিব খোজা নাই। এমাবজেক্ষিত কোনটোৰ প্ৰয়োজন বেছি হয়, তাক কোনে জানে। গতিকে চৌধুৰীয়ে প্ৰশ্ৰয় দিছে বকৰাক আৰু চৌধুৰাণীয়ে সাদৰী মাতেৰে আদৰি লৈছে ফুকনক। গীতাই দুয়োজনৰে চকুত প্ৰহেলিকাৰ সৃষ্টি কৰি আনন্দত আত্মহাৰা হৈ উঠিছে। ইমানদূৰ আগ বাঢ়িলোঁ যেতিয়া বাকী যিনি কথাও ফুকনৰ পৰা উলিয়াওঁ বুলি প্ৰশ্ন কৰিলোঁ। —"আৰু ফুকন, আপোনালোকৰ প্ৰতিদ্বন্দ্বিতাৰ কথা গম পালোঁ। পিছে বিয়াৰ দিন পেলাইছে কেতিয়া? মোৰ মনৰে যিমান সোনকালে পাৰে তিমান সোনকালে পতাহে ভাল কথা হব। পিছলৈ কিবা কেলেঙ্কাৰীও হব পাৰে?"

"কেলেঙ্কাৰী আৰু হব কি? মই গীতাৰো মত লৈ থৈছোঁ। আৰু এক বকম মত পাইছোঁ। দেখিছেই তেওঁৰ নিমিত্তেই 'বুইক' গাৰী এখনো অনাবলৈ এজেণ্টক

অৰ্ডাৰ দিলোঁ। দেউতাই টকা ডিৰেক্টলি (directly) এজেণ্টলৈ পঠিয়ালেই। দেউতাৰ একেটা লৰা—তেওঁৰনো ইমান বোৰ টকা খায় কোনে? টকা খৰচ নকৰোঁ দেখি দেউতাই লোকৰ আগত বেজাৰহে কৰে? বাৰু মেধি 'বুইক' গাৰী এখন বিয়াৰ আগতে গীতাক প্ৰেজেণ্ট দিলে কেনে হব?" এইবাৰহে মই ডাঙৰ সমস্যাত পৰিলোঁ। দহ হাজাৰ দামৰ 'বুইক' গাৰী এখন লোকক প্ৰেজেণ্ট দিয়া দূৰত থাকক, জীৱনৰ সঞ্চয়ৰ সকলোঁ অৰ্থ গোটাই কিনিব পৰা শক্তি যে কেতিয়াবা হব—তাতেই মোৰ ভীষণ সন্দেহ। ফুকনৰ এই প্ৰশ্নই মোক নিজৰ অস্তিত্বলৈ ঘূৰাই আনিলে। মই মাথোন লাহেকৈ উত্তৰ দিলোঁ,—"বেছ, ভাল হব। গীতা এতিয়াই আপোনাৰ নিমিত্তে Booked. তেতিয়া assurance আৰু doubly sure হব? আপুনি গীতাক 'বুইক' প্ৰেজেণ্ট দিয়া শুনিলে বৰুৱাই ভবিষ্যতে চৌধুৰীহঁতৰ ঘৰৰ ফালে মু-কৰিবলৈ লাজ পাব। বাৰু আপুনি বহক অলপ কাম আছে। কুকুৰমুতাৰ ফালৰ পৰা আহোঁগৈ।" মোৰ সহানুভূতি পূৰ্ণ কথাত ৰং পাই ফুকনো লগত যাবলৈ ওলাল। বিশেষ কামত ভালেখিনি ৰাতি হব বুলি বুজাইহে তেওঁক এৰি থৈ অকলে আঁতৰি গলো। বেঞ্চৰ পৰা উঠাৰ লগে লগে এটা দীঘল হুমুনিয়াই বুকুখনি কঁপাই তুলিলে। নিজৰ সীমা আৰু ব্যৱধানৰ এটা বোধ আহিল। ফুকনহঁতৰ সম্ভোগৰ জীৱন আৰু অৰ্থৰ ওখ দৌলৰ প্ৰতি হিংসা উপজিল। লোকৰ বিয়াৰ কথা শুনিলো; কিন্তু নিজৰ বিয়াৰ ব্যৱস্থা কৰি দিয়ে কোনে? দুখীয়া হলো বুলিয়েই আমাৰ মাৰ্জ্জিত ৰুচিৰ অভাৱ হলনে? টকাৰ পুঁজি শকত নহলে বিশ্ব বিদ্যালয়ৰ ডিগ্ৰী ধাৰী ছোৱালী পাবলৈ কৰা হাবিয়াস বৃথা। বেজাৰৰ গধূৰ মনটো পাতল হল কংগ্ৰেচ পন্থী ভট্টৰ কথা এষাৰি মনত পৰাত। তেখেতে কয় যে শিক্ষিতা ছোৱালী বিয়া কৰালে বৰ্ত্তমান সময়ত আমাৰ নিচিনা বেকাৰৰ অৰ্থ সমস্যা সমাধান হব। আজিকালি বছৰে বছৰে অনেক ছোৱালী স্কুল স্থাপন হৈছে। শিক্ষিতা ছোৱালী বিয়া কৰালে তেওঁলোকে মাষ্টৰি কৰি আমাক পোহ দিব পাৰিব। নতুবা শিক্ষিতা পত্নীক লগত লৈ দেশৰ কামত যোগ দিয়াও সুবিধা। আজিকালি Women franchise ৰ দিন। পত্নী সকলকে প্লেট ফৰ্মত বক্তৃতা দিবলৈ দি লোকেল বোৰ্ডৰ চেয়াৰমেন (woman) পাতি সুবিধা বুজি কাউন্সিললৈ পঠিয়াব পাৰিলেও জীৱনটো সুখৰে কটাব পাৰিমহঁক। কিন্তু এই কথালৈ কাণ দি শিক্ষিতা ছোৱালীক আমালৈ গটাই কোনে? তাকে ভাবি আন্ধাৰে মুঁধাৰে সৰু বাটটোৱেদি আগবাঢ়ি গলোঁ।

.....নতুন মডেলৰ 'বুইক' গাৰী গুৱাহাটীত হাজিৰ হলহি। ফুকনে ট্ৰায়েল ৰাইডো দিলে। এজেণ্টৰ তাৰ পৰা আনি গাৰীখন কত থয়হি ফুকনৰ তাৰেহে চিন্তা বেছি হল। কথা বুলিলেই বতাহ। চাওঁতে চাওঁতেই বুইক গাৰী প্ৰেজেণ্ট দিবলৈ অনা কথা গোটেই গুৱাহাটীতে ৰাষ্ট্ৰ হৈ পৰিল। কলেজৰ ছাত্ৰ-ছাত্ৰী নেলাগে, নগৰৰ ডেকা-বুঢ়াৰ মাজতো এই কথাৰহে আলোচনা চলিল। 'আও, হলেই বা 'টি প্লাণ্টাৰ'ৰ একমাত্ৰ লৰা। তেও বুলিনো সি ইমান মহতালি দেখুৱাব লাগেনে? বুইক গাৰী প্ৰেজেণ্ট দিহে ছোৱালী বিয়া কৰায়? মাক বাপেকৰো দেও লাজ চৰম নোহোৱা হ'ল? দেশখনত নো দিনে দিনে ন' ন' কথাহে হবলৈ ধৰিছে।'

গীতাই সেই দিনা কলেজলৈ আহি বন্ধুমহলৰ পৰা কথাটো শুনি লাজত ৰঙাচঙা পৰি কন্দনা মুৱা হ'ল। ফুকনৰ প্ৰতি তেওঁৰ ঘৃণা উপজিল—খঙো উঠিল। ইছ ছোৱালী হ'ল বুলিয়েই তেওঁক টকা আৰু মটৰগাৰী দেখুৱায়ে কিনিব পাৰিব? ফুকনক তেওঁ ভাল পায় হয়; টকাৰ নিমিত্তে তেওঁৰ মোহ নোহোৱা নহয়। সেই বুলি সমাজৰ আগত নিজক ইমান হেয় কৰিব নোৱাৰি! কলেজ ছুটীৰ পিছত ঘৰলৈ গৈ মানুহৰ আগৰ পৰা মুখ লুকুৱাব পাৰিলেই গীতাই ৰক্ষা পৰে! দেউতাক আৰু আজি ঘৰত নাই। কালিলৈহে মফচলৰ পৰা আহিব। দেউতাক আহিলেই এইবোৰ কৈ দি ফুকনৰ লগত সম্বন্ধ স্থিৰ কৰিবলৈ হাক দিবলৈ দৃঢ় প্ৰতিজ্ঞ হল। কলেজৰ প্ৰত্যেক লৰা-ছোৱালীৰ যেন তেওঁ উপলুঙা আৰু বিদ্ৰূপৰ

সামগ্ৰী হল! কলেজৰ পৰা উভতি গৈ গীতাই ঘৰৰ পদূলি মুৰতে নতুন গাৰী এখন ৰৈ থকা দেখিলে—এয়ে সেই কলেজত শুনি অহা 'বুইক'! খঙ আৰু অপমানত গীতাৰ দুই চকুয়েদি সৰ্‌সৰকৈ পানী ববলৈ ধৰিলে। ভিতৰ সোমাই গৈয়ে দেখে যে মাকে ফুকণৰ সৈতে হাঁহি হাঁহি সেই বুইক গাৰীৰ কথাকে পাতিছে। গীতাই তেওঁলোকলৈ ভ্ৰূক্ষেপ নকৰি লৰালৰিকৈ গৈ নিজৰ পঢ়া-কোঠালিৰ বিছনাত পৰি উচুপি উচুপি কান্দিবলৈ ধৰিলে। উচুপনিৰ মাজতেই গীতাৰ কাণত ফুকনহঁতৰ কথাবোৰে ঠহৰ ঠহৰকৈ বিন্ধিলেগৈ। ফুকনে উৎসাহৰে কৈছিল,—"সেই দিনা ৱাটাৰ ৱাৰ্কচৰ ওচৰত ৰৈ থকা চাহাবটোৰ বুইকখন গীতাই পছন্দ কৰা দেখিয়েই মই দেউতাৰ হতুৱাই এইখন অনালো। একেবাৰে নতুন মডেলৰ 'চিদান বডি'।" গীতাৰ মাকে আনন্দত অধীৰ হৈ উত্তৰ দিলে—"তুমিও দেও ভাল লৰা। গীতাৰ বুকুৰ হাড় কেইডাল তাকো তুমি লিখিব পাৰিবা। তোমাৰ হাতত গটালে তাইক যে তুমি কি কৰি তুলিবা—মই ভাবিবই নোৱাঁৰো। তাই এনেয়ে আলাসৰ লাৰু—তোমাৰ হাতত পৰি তাতোকৈ কিবা এটাহে হবগৈ?" ফুকনে নিজৰ আত্ম গৌৰৱত মিচিক মিচিক কৈ হাঁহি কলে—"মোৰ সাধ্য নাই—গীতাক যে কেতিয়াবা তেওঁৰ নায্য প্ৰাপ্য দিব পৰিম। তথাপি দেউতাৰ যি সামান্য সম্পত্তিৰ সঞ্চয় আছে, সেই সকলেৰে গীতাক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিম।" চৌধাৰাণীয়ে ফুকণৰ বিনয়ত তৃপ্তি লভি উত্তৰ দিলে,—"তুমি তাইক যেনেকৈয়ে ৰাখা ৰাখিবা। সোনকালে তাইক তোমাৰ হাতত দিব পাৰিলেই ৰক্ষা পৰোঁ। কালিলৈ দেউতাক আহঁক, সোনকালে দিন-বাৰ এটা চাই দিহা কৰিব লাগিল।" আনন্দত ফুকনৰ বুকু ফুলি উঠিল। উৎসুক নেত্ৰে চাৰিও পিনে চাই সুধিলে—"গীতা গ'ল কলৈ? বলক নতুন গাৰীত এবাৰ ফুৰি আহোঁগৈহঁক। অ', আৰু এটা কথা। আজিয়েই গাৰীখন এজেণ্টৰ তাৰ পৰা আনি আপোনা-লোকৰ তাতে হে ৰাখিব লাগিব।" গীতাৰ মাকে আগ্ৰহেৰে উত্তৰ দিলে—"এৰা, এৰা,। দাম দিয়া হল যেতিয়া লোকৰ তাত ৰখা ভাল হোৱা নাই। আমাৰ 'গেৰেজতে' থবহি পাৰিবা।" ফুকনৰ কথাখিনি গীতাৰ কাণত ভালকৈ পৰিছিলগৈ, আৰু এই কথাৰ আচল অৰ্থ কি বুজিব পাৰি গীতাই বেছিকৈহে উচুপিচবলৈ ধৰিলে।

চৌধুৰাণীয়ে ভাবিছিল গীতাই কলেজৰ পৰা আহি মুখ ধুই চাহ জল পান লৈ খাবলৈ যোগাৰ কৰিছে। ফুকনে গীতাৰ নিমিত্তেই যে বুইক গাৰী আনিছে কথাটো জনাবলৈ চৌধুৰাণীয়ে গীতাক বিচাৰি আঁতৰি গ'ল। ফুকনলৈ বিয়া দিয়া চৌধুৰাণীৰ সম্পূৰ্ণ ইচ্ছা। ফুকনৰ পিতাকৰ কেইবা খনো চাহ বাগিছা, বেঙ্কৰ ডিপজিটৰ খাতাত অঙ্কৰ সংখ্যাও সৰহ। তদুপৰি লৰা-ছোৱালীৰ ভিতৰত মাথোন সেইটিহে। এনে এটা লৰাৰ হাতত ছোৱালী গটাব পাৰিলে গীতাৰ জীৱন সুখ-সম্ভোগৰ নহৈ নোৱাৰে। তিৰোতা মানুহে প্ৰথমে ভাবে ধন-দৌলতলৈ। বিশেষতঃ চৌধুৰাণীয়ে আজিকালি নিজকো নব্য ধৰণৰ কৰি গঢ়ি তুলিছে, গীতাৰ সহায়তে তেওঁ নতুনকৈ ইংৰাজী শিকিছে; আনকি এই ভাটি বয়সতো মেট্ৰিক পৰীক্ষাটো দি ডিগ্ৰী লবৰো ইচ্ছা কৰে। মটৰ ড্ৰাইভ কৰিবলৈকো জানে। মাজে সময়ে গীতাৰ লগত চিলঙলৈ গৈ Race ও খেলেগৈ; পাৰ্টিটো যোগ দিয়ে। চৌধুৰীয়ে কিন্তু এইবোৰ পছন্দ নকৰে। ফুকনৰ লাহ বিলাহ আৰু আত্মাভিমান তেওঁ মুঠেই দেখিব নোৱাৰিছিল। চৌধুৰী সৰুৰ পৰা উঠিছিল বৰ দুখত—গতিকে দুখীয়াৰ মৰ্ম্মবেদনা আৰু প্ৰতিভাৰ সম্মান তেওঁ সদায় কৰে। সেই কাৰণেই তেওঁৰ মনত বৰুৱাই শীৰ্ষ স্থান পাই গীতাৰ লগত ফুকনৰ বিয়া হোৱা প্ৰস্তাৱটো স্থগিত ৰাখিছে! বিশেষতঃ ফুকনহঁতৰ জাতৰ গুৰিতে কোনোবাখিনিত বৰ ডাঙৰ খুঁট এটা আছে, চৌধুৰীয়ে তালৈ আওকাণ কৰিব নোৱাৰে।

চৌধুৰাণীয়ে গীতাৰ পঢ়া কোঠালৈ সোমাই গীতাক বিছনাত পৰি থকা দেখি ওচৰ চাপি সুধিলে—"গীতা তোৰ গা অসুখ কৰিছেনে কি?" গাৰুত মূৰ গুজি পৰি থকা গীতাৰ কোনো উত্তৰ নাহিল। মাকে গীতাৰ কাষত বহি গাত হাত বুলাই আকৌ সুধিলে—"কি হৈছে

নকরনো কিয়? গা অসুখ কবিছিল যদি সোনকালে কলেজৰ পৰা নাহিলি কিয়?" মাকৰ হাতখন গাৰ পৰা খণ্ডবে আঁতৰাই থৈ উ�চুপি উচুপি গীতাই কলে—"নালাগে তইতে মোক মমম কৰিব। বুইকত উঠি ফুবিবলৈ যা থৈ!" গীতাৰ কথা শুনি মাকে ভাবিলে যে গীতাই ফুকনৰ ওপৰত অভিমান কৰিছে। সেই কাৰণেই ঠেহ ভাডিবলৈ সি খোটাগীত থকা ফুকনকো হাঁহি হাঁহি গীতাৰ ওচৰলৈ মাতিলে। ফুকন ওচৰ চপাত গীতাৰ কান্দোন বেছি হল। ফুকনে ভালবি লগাই মাতিলে,—"বাক গীতা, গাৰী কিনাৰ কথা আগতে তোমাক নোকোৱাত মোৰে দোষ হল। আহাঁ এতিয়া মই মাতিলোঁ, এপাক ফুবি আহোঁগে। আজিৰ পৰা গাৰী তোমাৰ জিম্মাত চমজালো।" কথাষাৰ কৈ উংফুল্ল ভাৱে ফুকনে গীতাৰ মাকৰ পিনে চালে। চৌধুৰাণীৰ মুখত অপাৰ আনন্দ। কিন্তু এই চকা মকা আনন্দ মুহূৰ্ত্ততে কবৰাত মিহলি হল। ফুকনৰ কথা শুনি গীতাই মুৰ দুলি গৰজি উঠিল,—"এইগাৰ কথা কবলৈ আপোনাৰ লাজ নেলাগিলনে? মটবগাৰী দেখুৱাই আপুনি মোক বিয়া কবাবলৈ আহিছে? মই জানো দোকানৰ বস্তু? আজিৰ পৰা আপুনি মোৰ ওচৰলৈ নাহিব। আহিলে অপমান পাব।" সাঁজ লাগো লাগো হৈছে—সন্ধিয়াই ঘৰ আবৰি ধৰিছে। গীতাৰ কথা শুনি ফুকনৰ বঙা মুখ আন্ধাৰৰ লগত ক'লা পৰি গল। সকলো স্তব্ধ -কাৰো মুখত এটা শব্দ নাই। গীতাৰ উচুপনি মাথোন! অলপ পৰ থিয় হৈ থাকি ফুকনে কোঠাৰ পৰা ওলাই গ'ল। গীতাৰ মাকে কথাৰ গুৰুত্ব বুজি মাত লগালে—"বৰা ফুকন তুমি নাযাবা, এই পাগলীৰ কথাত নালাগিবা। তাইৰ কিবা কাণ্ডজ্ঞান আছেনে? মোকে অলপ ফুবাই আনাগৈ বলা।" চৌধুৰাণীয়ে গীতাৰ কোঠাৰ পৰা ওলাই, হাতত লেডিজ বেগটো আৰু ডিঙিত খালথন পেলাই ফুকনৰ লগত বুইকত ওলাই গ'ল। চৌধুৰাণীয়ে হাতৰ পৰা এনে এটা উপযুক্ত দৰা মুহূৰ্ত্ততে হেৰোৱাৰ আশঙ্কাত ফুকনৰ মন ভাল লগাবলৈ বহত কথা বাটে বাটে ফুকনক কৈ গ'ল। তাৰ বেছি ভাগবে বিষয়বস্তু আছিল গীতাই ফুকনক ভাল পোৱাৰ আখ্যান। সঁচাকৈয়ে গীতাই যে ফুকনক ভাল পোৱা নাছিল তেনে নহয়। তেওঁলোকৰ ভাল পোৱাৰ প্ৰেক্ষাপটিকেল এৰপেৰিমেণ্টো হৈ গৈছিল বুলি লৰা-ছোৱালীবোৰে কোৱা মেলা কৰে। কিন্তু শিক্ষিতা তিৰোতাৰ অভিমান আৰু আত্মগৌৰৱৰ গতি অন্তৰৰ একো শক্তিয়েই বোধ কৰিব নোৱাৰে। বুইকত উঠিও এই সন্ধিয়া ফুকনৰ মুখত হাঁহি নিবিৰিছিল। গীতাৰ মাকৰ কথা শুনিবৰো তেওঁৰ ইচ্ছা নহল।

সেই সন্ধিয়াৰ সূক্ষ্ম কাৰণ প্ৰসূত পিছৰ ঘটনা সমূহ সোৱাদ নোহোৱা অন্তঃসাৰী আখ্যান। সম্মান বস্তুটোৰ বান্ধোন কটকটীয়া হয় যেতিয়া ই পৰেণে সুখ সম্ভোগৰ চৰম পন্থী ধনীৰ হাতত। ফুকন বলিয়া হোৱা নাছিল গীতাৰ ৰূপৰ মোহত। তেওঁ কিনিবলৈ বিচাৰিছিল তিৰোতাৰ প্ৰশংসা, ঐশ্বৰ্য্যৰ অপৰিসীম ক্ষমতাৰ প্ৰভাবেৰে। গীতাই ফুকনক কৰা অপমান ফুকনে মাৰ্জ্জনা কৰিলেও দহ হেজাৰ দামৰ বুইকৰ প্ৰতি দৰ্শোৱা অসম্মান ফুকনে কেতিয়াও পাহৰিব নোৱাৰে।

ইয়াৰ পিছতেই গেজেটৰ পাততে বৰুৱাৰ নাম উল্লিখিয়েল চাভিচৰ লিষ্টত। বাতিৰ ভিতৰতে বৰুৱাৰ ষ্টেটাচৰ সলনি হৈ পৰিল। একে দিনতে বৰুৱা সমাজৰ হাকিম নামৰ এটা মূল্যৱান আৰু সম্মানাই 'চিজ'ত ৰূপান্তৰ হল। অসমীয়াৰ আদর্শ, কৃষ্টি, সাধনা সকলোবে ওবিয়াল হ'ল এই হাকিম নামৰ অপার্থিব বস্তুটো। গীতাৰ নিমিত্তে বৰুৱাৰ 'ক্লেইম অনবেজিচটেবোল' হৈ পৰিল। হাকিম জোঁৱাই পাই চৌধুৰীৰ জীৱন ধন্য হল। বুইকৰ অন্ত্যেষ্টি ক্ৰিয়া সমাপন কৰি ফুকনে ' বিদেশলৈ যাত্ৰা কৰিলে জ্ঞান অৰ্জ্জনৰ কাৰণে। আমাৰ হোষ্টেলৰ 'টেবুল টক'ত দত্তচাহাবে হুমুনিয়া কাঢ়ি কলে,—"বৰুৱাইহে দাও মাৰিলে দিয়া। আজিকালি কাম নাপালে কোনেও ছোৱালী দিব নোখোজে?" আমি আটাইখনে আওহেবে তেওঁৰ সমর্থন কৰিলোঁ।

* * * *

এষাৰ বছৰৰ পিছৰ কথা। সংসাৰৰ নানা ঘাত প্ৰতিঘাতৰ মাধ্যমাৰত ল' এৰি চিলঙ চেক্রেটৰীয়তত কেৰাণী

সোমাব লাগিলহি। দিনবোৰ বৰ আনন্দৰেই গৈছিল—অকলশৰীয়া জীৱন। চিংং পাহাড়ৰ সেন্দুৰীয়া গালৰ নেদোকা গাভকবোৰৰ সৈতে স্ফূর্ত্তিৰেই আমোদত জীৱনৰ সার্থকতা লভিছিলোঁ। গোটেই দেশতে এটা চাঞ্চল্যৰ সৃষ্টি হৈছিল। এঘাৰ বছৰৰ আগত যিবোৰ কথা আমি কল্পনা কৰিছিলোঁ—আজি বাস্তৱত প্ৰতিফলিত হৈছে। নীতি নিয়মৰ আদর্শৰ বৰ খুটা উভালি পৰিল। ডেকা গাভকৰ অবাধ মিলন প্ৰকৃতিৰ অপবিহার্য্য নীতি বুলি মুকলোৱে মানি লৈছে। বিবাহিতা হলেও তিৰোতা কেৰল এজনৰ সম্পত্তি বুলি ভবা সমাজৰ ভ্ৰম আঁতৰি গৈছে। গাৰ্ল গাৰ্ল'ও 'বার্থ কণ্ট্রোলৰ ক্লিনিক' স্থাপিত হৈছে। ডেকা গাভকৰে নিসংকোচে আহি তাত উপদেশ বিচাবিছেহি। চিলঙৰ 'হেপি ভেলিত' মোৰ ক্ষুদ্র বঙলাটো। ডিব্রুগড়ৰ পৰা ধুবুৰীলৈকে স্কুলে স্কুলে এই বিষয় বক্তৃতা চলিছে। আজি কেইবছৰ মানব পৰা পৃথিবী কলেজীয়া বন্ধু বৰুৱায়ো 'আণ্ডাৰ চেক্রেটবি' হৈ মুক্তিৰ সৰু টিলাৰ ওপৰত সুন্দৰ বঙলা এটিত বাস কৰিছেহি। বঙলাটিৰ আচল স্বত্বাধিকাৰী আছিল সেই তাহানি গনৰ ফুকন। অৱশ্যে ফুকন আৰু এই জগতত নাই। আজি ছমাহৰ আগত এই বঙলাতেই চিবকুমাৰ ফুকনৰ মৃত্যু ঘটিছে। প্ৰায় আঠ বছৰ মান পৃথিবীৰ সকলো দেশতে আনন্দৰ চৌত গা উটুৱাই দি ফুকনে ভগ্ন স্বাস্থ্য লৈ দেশলৈ উভতি আহিছিল। আপোনাৰ জন বুলিবলৈ তেওঁৰ কোনো নাছিল। পুতেকৰ সম্ভোগৰ নিমিত্তে অথাধ সম্পত্তি থৈ দেউতাকে কেতিয়াবাই জগতৰ পৰা মেলানি মাগিলে। অসহায় ফুকনে জিবণি বিচাবি পালেগৈ চিলঙ। তাতেই দেখা হল গীতা আৰু বৰুৱাৰ লগত। তাহানি কবা মহান্ অবিচাৰৰ প্ৰায়শ্চিত্তৰ নিমিত্তে গীতা আৰু বৰুৱাই ফুকনক সাদৰি ললে। ফুকনৰ ইচ্ছা আৰু পুঁজিতেই মূলকিত বঙলা সজাই তিনিও থাকিবলৈ ললে। গীতাই অৱশ্যে এই কেই বছৰৰ ভিতৰতে নতুন চাবিটি জীৱন সৃষ্টি কবিছিল। মূলকিৰ এই বঙলাতেই ফুকনৰ লগত বহত দিন দেখা হৈ গৈছে। জীৱনৰ সন্ধিয়া বেলিকা বেচেবাই যুদুক্ষ প্ৰাণত অকণমানি সান্ত্বনা পোৱা দেখি বৰ পাইছিলোঁ। গোটেই পৃথিবী ভ্ৰমি এই এটা বাসনাৰ চবিতার্থৰ নিমিত্তেই দুর্ভগীয়াই অমূল্য জীৱন নষ্ট কবি আহিছিল। গীতাযো শেষ মদিৰাবে ফুকনৰ তৃষ্ণাতুৰ প্ৰাণ তৃপ্তিত উটুৱাই দিবলৈ চেষ্টা কবিছিল! ফুকনৰ অন্তৰৰ গভীৰ অতলস্পর্শী মর্ম্মবেদনাত ব্যথিত হৈ বৰুৱাই আনন্দবেই এই উৎসবত যোগ দিলে। সেই যজ্ঞত আঘাতিত দিব পাবিছিল দেখিয়েই ফুকনৰ সকলো সম্পত্তি গবাকী আজি মাথোন এক গীতাহে।

গীতাইতৰ যবৰ আগেদিয়েই হেপিভেলিলৈ ঘোৱা বাট। অফিচৰ পৰা উভতি যাওঁতে সন্ধিয়া প্ৰায়ে গীতাইতৰ তাত সোমাওঁ। গীতাক অৱশ্যে সদায় লগ পোৱা সম্ভবপৰ নহয়। কিয়নো বাতি যুবোপিয়ান ক্লাবত প্ৰায়ে গীতাৰ নিমন্ত্রণ থাকে। বিশেষতঃ তেওঁ হৈছে ভাল টেবুল টেনিচ আৰু ব্রীজ খেলোৱাৰ। কিন্তু যিদিনাই গীতাক পাওঁ, মনটো ভাল লাগে। গীতাৰ হাঁহি, কটাক্ষ, কথা কোৱাৰ ভঙ্গী সকলোতে এটা লয় আছে, মাধুর্য্য আছে, কোনে কব গীতা চাবিটা লবাছোৱালীৰ জননী? গীতাই কেইবাখনো ইংবাজী গানৰ বেকর্ড আনাইছে। সেইদিনা সন্ধিয়া তাকেই শুনাত ঘৰলৈ উভতিবলৈ বাতি হ'ল। গীতা আৰু বৰুৱা দুয়োবে মটবৰে মোক হেপিভেলিত থৈ আহিবলৈ ওলাল। বৰুৱায়ে গাৰী ড্রাইভ কবিছে। ভিতৰৰ চিটত গীতা আৰু মই। মটবৰ জাৰ্কিণত গীতাৰ কোচত হাত লাগি শিহবণ উঠিল। গীতাই মোৰ পিনে চাই হাঁহি মাৰি সুধিলে,—হেৰি মেধি, আমি দহ হাজাৰ টকা অসমত এটা চেণ্ট্রাল বার্থ ক্লিনিক খুলিবৰ নিমিত্তে দিব খুজিছোঁ, কথাটো আপুনি কেনে বোলে?" হঠাতে এনে এটা প্ৰশ্নৰ উত্তৰ দিবলৈ প্ৰস্তুত নথকাত থকা-খোজাকৈ কলো—"বেছ ভাল কথাইতো!" নিজৰ ইচ্ছামুযায়ী মোৰ উত্তৰ পাই গীতাই বৰুৱাৰ পিনে গাটো হেলাই দি কলে, "এয়া শুনিলে, আপোনাৰ পৰম বন্ধু মেধিয়েও মোৰ প্ৰস্তাৱ সমর্থন কবিছে! এতিয়া আৰু আপুনি 'না' বুলিলে নহব।" বৰুৱাই আমাৰ ফালে মুখ চাই উত্তৰ দিলে,—"আপুনিনো মেধি কি বুদ্ধিবোৰ দিছে দিয়ক? দহ

হাজাৰ টকা মিছাতে দান কৰাত কি লাভ ? তাৰ সলনি লৰা-ছোৱালী কেইটা নাৰ্চিং হোমত থৈ এবাৰ world-tour দি অহাই ভাল নহব জানো ?" গীতাই অসন্তোষ প্ৰকাশ কৰি নিজৰ গাত নলগা ভাৱে কলে—"থওঁক, থওক মোৰ টকাৰে এতিয়া আপুনি দেশ-ভ্ৰমণ কৰিবলৈ নালাগে। এটা তেওঁ সজ কামকে কৰোঁ। কি কয় মেধি !" মই মুঠেই আন্ধাৰত মূৰহে দুপিয়ালোঁ। বৰুৱাই হাঁহি হাঁহিয়েই উত্তৰ দিলে,—"ইস্ ! এতিয়া গৰাকী ওলালগৈ এওঁহে মই জানিবা 'পাৰ্মিচন এনেয়েহে দিলোঁ।" নিলাজ হাঁহিত দুয়োৱে ঢেক্‌ঢেকাবলৈ ধৰিলে। মোৰ আগত অৱশ্যে তেওঁলোকে ঘৰুৱা জীৱনৰ গুপুত কথা বহুত জনায়। আজি তাৰ সীমাই ভালেখিনি অতিক্ৰম কৰিছিল। ঘৃণা আৰু লাজত মই একোকে নামাতিলোঁ। মটৰ আহি ঘৰৰ দুৱাৰ মুখ পালেহি। গীতাই দৰ্জ্জা খুলি দিলে। তেওঁলোকক মাত লগাই বঙলালৈ সোমাই লৰালৰিকৈ চোফাখানত বহিলোগৈ। মুখৰ বৰ্ম্মা চুৰটতো 'এচ্ পটত' এবাৰ খুন্দিয়াই লৈ নানা কথা ভাবি হুপিবলৈ লাগিলোঁ। কলেজীয়া জীৱনৰ বহুত সোঁৱৰণি মনলৈ আহিছিল। দত্ত চাহাৱৰ থিয়ৰি ! বেচাৰা চাগৈ গোলাঘাটৰ বাৰ লাইব্ৰেৰীত বিৰি হুপি হুপি এতিয়াও জন সংখ্যাৰ কথাকে ভাবিছে !—এই দহ বছৰত বা আমাৰ জনসংখ্যা কিমান বাঢ়িল ?

———

বিমান পথেৰে বিলাত যাত্ৰা

—বীৰু

বিলাতলৈ আহিবৰ মনটো আছিল অনেক দিনৰ পৰাই, কিন্তু ইমান দিন হৈ উঠা নাছিল। এই বেলি সুযোগ পাই ওলাবলৈ ঠিক কৰিলোঁ।

বিলাতলৈ যাম কোন বাটেৰে তাকে লৈ বহুতৰ বহুত ৰকম সদুপদেশ আৰম্ভ হ'ল। মোৰ এজন দদায়ে কলে—সিংহলেদি যোৱা। ঠাই ডোখৰো চাবলৈ পাবা আৰু ষ্টিমাৰেৰে গলে বহুত সুবিধাও পাবা। মোৰ আন এজন পেহাদেৱে কলে—পি, এণ্ড, ও কোংৰ (P. & O. Co.) জাহাজৰে যোৱা। কিমান মানুহৰ লগত আলাপ পৰিচয় হব। খেলিবলৈ পাবা, সাতুৰিবলৈ পাবা ইত্যাদি। মই কলোঁ—সি নহব, আপোনালোক সকলোৱে যি কৰিছে ময়ো তাকে কৰিব লাগিব তাৰ কোনো মানেই নাই। মই যাম আকাশেদি উৰি। জাহাজৰ গল্প শুনোতে শুনোতে কাণ কলা হৈ গৈছে। এটা নতুন কিবা কৰোঁ।

আমেৰিকান এক্সপ্ৰেছ কোং (American Express Co.) ত মোৰ পেছেজ' (Passage Booked) বুকড্ কৰিবলৈ প্ৰথমে ভাবিলোঁ। পিছত ইচ্ছা হ'ল 'ডাছ মেলেৰে (Dutch mail) যাওঁ। তাৰ পিছত যেতিয়া শুনিবলৈ পালোঁ যে মেল খন অলপ সৰু তেতিয়া ইম্পিৰিয়ল এৱাৰ ৱেজ্ (Imperial Air Ways) ত যোৱাকে ঠিক কৰিলোঁ। কথা হ'ল কৰাচীলৈ গৈ প্লেনত উঠিম। উত্তৰ ভাৰতৰ কিছু ঠাই দেখাও হব।

বুধবাৰে কৰাচীৰ পৰা এৱাৰ মেল এৰে,—গতিকে মই কলিকতা এৰিব লাগিব শনিবাৰে। শনিবাৰ ৰাতি ৩.৯.৩৪ তাৰিখে হাঁহি-কান্দোনৰ মাজেদি পাঞ্জাব মেলে মোক লৈ ওলাল। বহু ভ্ৰমণ কাহিনীত পঢ়িছিলোঁ—ঠিক এৰিবৰ সময়টোত তেওঁলোকৰ অনেক কিছু সুজলা সফলা শস্য শ্যামলাৰ কথা মনত পৰে ; কিন্তু বৰ লাজেৰে সৈতে

জনাওঁ—মোৰ মনটো সেই সময়ত এক ৰকম নিৰ্ব্বিকাৰ। এতিয়া মোৰ মনে হয় ভ্ৰমণকাৰী লেখক সকলে অকল বাহাদুৰিৰ কাৰণে সেই বোৰ লিখে মাথোন। অৱশ্যে ইটো মোৰ মনৰ কথা, পিছে পাষাণ হৃদয় বুলিও হব পাৰে।

বায়স্কোপৰ ছবিৰ দৰে ষ্টেশ্যনৰ পিছত ষ্টেশ্যন গৈ আছোঁ। ছবি ভাল হলে যেনে মনৰ এচুকত অলপ আচৰ লগাই যায় আৰু বেয়া হলে একো মনত নাথাকে তেনেকৈ কোনোটো ষ্টেশ্যন মনত লাগিল কোনোটো বা নালাগিল।

উঠিলো সেই ঠাইতে। 'ভগবানে যি কৰে মঙ্গলৰ বাবেই'।

হোটেললৈ গৈ পোন প্ৰথমে ভালকৈ গা ধুই ললোঁ। তাৰ পিছত ওলাই পৰিলোঁ—ইম্পিৰিয়েল এৱাৰ ওৱেজৰ চুপাৰিনটেন্‌ডেণ্টক বিচাৰি। ম্যাকলিওড ৰোডত অফিছ, অফিছত সোমাই চুপাৰিনটেনডেণ্টক বিচাৰিছোঁ দেখি এজন চাহাবী পোছাক পিন্ধা বঙ্গালী ভদ্ৰলোক মোৰ ফালে আগবাঢ়ি আহি সুধিলে—"মই জানো আপোনাৰ নিমিত্তে কিবা কৰিব পাৰো ?—আপুনি কাক বিচাৰিছে ?" কলো—"মই এৰোড্ৰাম-চুপাৰিন্‌টেনডেণ্টক বিচাৰিছোঁ।"



মই অহা গাৰী কৰাচী ষ্টেশ্যন পাইছেহি

সোমবাৰে ৪.৯.৩৪ তাৰিখে পালোঁগৈ লাহোৰ। ই-আই-আৰ ৰ মায়া মোৰ এই খিনিতে এৰিব লগীয়া হ'ল। বদল কৰি এন-ডব্লিউ-আৰত উঠিলোঁ।

লাহোৰৰ পৰা কৰাচীলৈকে ট্ৰেনত কিমান ধূলা খালোঁ সি কবৰ কথা নহয়। যি হ'ক কোনোৰকমে কৰাচী আহি পালোঁ, মঙ্গলবাৰ পুৱা ৮টাৰ সময়ত। নৰ্থ ৱেষ্টাৰ্ণ হোটেলৰ এজন মানুহ আহি মোক হাত কৰিলে। তেওঁ কলে—"আপুনি কি মিঃ চৌধুৰী ? এমেৰিকান এক্সপ্ৰেছৰ পৰা কালি এখন টেলিগ্ৰাফ পাইছোঁ আপোনাৰ ছিট ৰিজাৰ্ভ কৰিবৰ বাবে। আপোনাৰ 'লাক্' (বৰাত) খুব ভাল যে আপুনি ছিট পাইছে।"

কলোঁ—"হয়, মই মিঃ চৌধুৰী। কিন্তু কালি পালে কিয় ? মইতো সাতদিন আগতে কৈ থৈছিলো।"

তেওঁ কলে—"সাতদিন আগে কলে কি হয়! দুমাহ তিনমাহ আগৰ পৰাই বুক (Booked) হৈ থাকে।"

মনে মনে কলো—ঢোল কোবোৱা হৈছে। ফুটাই কলো—"সি যিয়ে হ'ক পোৱাতো গৈছে? আপোনাৰ পৰিচয়তো পোৱা নগ'ল?"

তেওঁ কলে—"আপুনি বোধকৰোঁ মোৰ নাম খবৰৰ কাগজে পত্ৰই দেখিছে—মই হলোঁ প্ৰথম ভাৰতীয়, যি এই লাইনৰ কাম পাইছে।"

আৰু ইজিপ্তৰ পাছপোৰ্ট 'ভিছা' নাই দেখিছোঁ। মেল কালিলৈ এৰিব।"

মই কলোঁ—"কৈ এমেৰিকান এক্সপ্ৰেছেতো মোক সিবোৰ কথা কোৱা নাই?" মনে মনে ভাবিলোঁ—এতিয়া, তোমালোকৰ হাতত পৰিছোঁ, যিহকে ইচ্ছা তাকে কৰা। চাহাবে কলে—"কেলেই সেইবোৰ তেওঁলোকৰ কৈ দিয়া উচিত আছিল। বাৰু চোৱা যাওক কি হয়।"



ক্লিফ্‌টন কৰাচী

মই বৰ অপ্ৰস্তুত হলোঁ। খবৰৰ কাগজ পঢ়া অভ্যাসটো মই আজিলৈকে কৰিব পৰা নাই। তথাপি বুকুত সাহ বান্ধি কলোঁ—"হয় আপোনাৰ ছবি কৰবাত জানো দেখিছোঁ।" চালোঁ কথাষাৰ কৈ নঠগিলোঁ। ভদ্ৰলোকজনে কলে—"দেখিছে নিশ্চয়।" আৰু কথা বেছিদূৰ নগল। কাৰণ তেতিয়া চুপাৰিন্‌টেন্‌ডেণ্টে দৰ্শন দিলেহি। মোৰ পাছপোৰ্ট (Passport) আৰু এমেৰিকান এক্স প্ৰেছৰ পৰা ভাৰা দিয়া ৰছিদখন চুপাৰিন্‌টেন্‌ডেণ্টৰ হাতত দিলোঁ। তেওঁ কলে—পাৰ্চীয়া

তাতে জানিবলৈ পালোঁ সেই বঙালী ভদ্ৰলোকজন মই থকা হোটেলতে থাকে।

অফিছৰ পৰা ওলাই কৰাচী চহৰ ফুৰিবলৈ ওলালোঁ। কৰাচীৰ কেইটামান দৰ্শনীয় ঠাই চাই হোটেললৈ উভতিলোঁ। সকলোতকৈ ভাল লাগিল—ক্লিফটন কৰাচী (Clifton Carachi)। এডোখৰ ওখ মাটিৰ পৰা ঢাপে ঢাপে বহল খট খটি কাটি লৈ গৈছে একেবাৰে সাগৰৰ পাৰলৈকে। মাজে মাজে বহিবৰ ঠাই। আৰু ঠিক মাজেদি ডাঙৰ ডাঙৰ আলোকস্তম্ভ। শুনিবলৈ পালোঁ,

নিশা ইয়াৰ সৌন্দৰ্য্য বাঢ়ে আৰু। এই ঠাইৰ 'চিৰিয়াখানাৰ' নাম—মহাত্মা গান্ধি গাৰ্ডেন' ভাল পৰিষ্কাৰ চহৰখন মুঠতে।

খাইছোঁ, এনে সময়ত ঘামি-জামি সেই ভদ্ৰলোকজন আহি হাজিৰ। কলে—"হেলো মিঃ চৌধুৰী, আপনাৰ Passport নিয়ে বেজায় মুস্কিলে পৰা গেছে।" মই অলপ দমি গলোঁ। সুধিলো—"তেনেহলে কি মোৰ কালি যোৱা নহব?" উত্তৰ দিলে—"এতিয়া ঠিক কৰি কব নোৱাৰোঁ। খোৱাৰ পিছত আকৌ তালৈ যাম।" অলপ খাটিৰ কৰি



বগদাদ নগৰৰ সাধাৰণ দৃশ্য

লবৰ বাবে মই কলো—"আপুনি কি মিঃ এন, এন, মিত্ৰ?" কলে—"হয়, আপুনি কেনেকৈ জানিলে?" কলোঁ—কোনো মাহেকীয়া কাকতত আপোনাৰ, ছবি আৰু নাম দেখিছোঁ বুলি মনে ধৰে। কলে—"মোৰ নাম নৃপেন্দ্ৰ নাথ মিত্ৰ।" ইফালে মই যে হোটেললৈ আহি তেওঁৰ নামটো জানি গৈছিলো সেই কথা মই জানিবলৈ নিদিলোঁ। মিত্ৰ ডাঙৰীয়াক বৰ উৎফুল্ল দেখা গ'ল। মাহেকীয়াত ছবি আৰু নাম ওলাইছে শুনি হবলা! অলপ পিছত কলে—"মোৰ যিমান দূৰ বিশ্বাস আপোনাৰ পাছপোৰ্ট পাবই।"

খোৱাৰ পিছত মিত্ৰৰ লগত ওলাই গলো। পোনে পোনে পাছপোৰ্ট অফিছলৈ গলো। ভাগ্য সুপ্ৰসন্ন। সোনকালেই পালো পাছপোৰ্টখন। পাছপোৰ্ট মিত্ৰৰ হাতত দেখি সুধিলো—"কি পালে নেকি?" মিত্ৰই কলে—'হু পাবনা! পৰেছে কাৰ পাল্লায়? এই খান থেকে বিলেত যাওৱাটা বন্ধ কৰে দেবোনা—ইচ্ছে কৰলে ভাইছৰয়ৰ যাওৱা বন্ধ কৰে দিতে পাৰি—বলব—ছিট নেই। তাহলে যাবে, কি কৰে?" মই কলো—"হয়, হয় ঠিক কৈছে" ইফালে ভিতৰত মোৰ দম ফাটিবৰ উপক্ৰম। মিত্ৰ নামি গ'ল তেওঁৰ অফিছলৈ আৰু মই ফিৰিলো হোটেল বুলি। কথা বল—আবেলি আমি ছবি চাবলৈ যাম।

ছবি ঘৰলৈ গৈ দেখিলোঁ ছবিখন মোৰ আগৰে দেখা। তথাপি চালোঁ—ছবিখন আৰু এবাৰ চাবৰ ইচ্ছা আছিল। (Ivor Novello in I lived with

you) এই বেলি চাই আৰু ভাল লাগিল। ছবিঘৰৰ পৰা ফিৰি আহি খাবলৈ বহিলোঁ। খোৱাৰ পিছত মিত্ৰই কলে—"আপুনি এতিয়াই শুবনে কি ?" কলোঁ—"নহয়, সেই আৰু সৰু কালৰ অভ্যাসটো এৰি দিছোঁ।" তেতিয়া, অনুমান ৯॥ টা মান। দুজনে বাটত ওলাই অলপ 'পায়চাৰী' কৰিলোঁ। তাৰপি ছত মিত্ৰৰ ঘৰত গৈ বহিলোঁ। বহি বহি শুনিবলৈ ধৰিলোঁ তেওঁৰ অতীত দিনৰ কাহিনী। কেনেকৈ ইয়াৰ পৰা পলাই বিলাতলৈ গৈছিল। তালৈ এটা পাছ নোহোৱা কৈ কেনেকৈ দিন কটাইছিল, কেনেকৈ ক্ৰয়ডোনত (এৰোপ্লেন উবোৱা শিকা



কেইৰো (ইজিপ্ট)—চিয়পচ পিৰামিডৰ পৰা দেখা দৃশ্য

ঠাই) সোমাইছিল। তেওঁৰ হাঁহি কান্দোনৰ অতীত জীৱন বৰ মধুৰ। কথাই বতৰাই বহুত ৰাতি হ'ল। অৱশ্যে কথা কৈছিল মিত্ৰয়েই বেছি। মই অকল মাজে সময়ে দুই এটা প্ৰশ্নবাণ হে নিক্ষেপ কৰিছিলোঁ। অৱশেষত টোপনিত মোৰ চকু পুৰিবলৈ ধৰিলোঁ। 'মিত্তিৰ' ঘৰত সোমাই পোনেই কাপোৰ-কানি সলাই বিছনাত দীঘল হৈ পৰিছিল। আৰু মই বহি আছোঁ তেওঁৰ চুলনি চকীখনত। যদিও মাজে সময়ে মিত্তিৰে কৈছিল—"শুই আছোঁ দেখি মনত একো নেভাবেতো ?" ভদ্ৰতাৰ খাটিৰত "নহয় নহয় ভালেই আছোঁ" বুলি উত্তৰ দিছিলোঁ। মনে মনে ভাবিলোঁ—মই কিবা ভাবিলেই যে তেওঁ কিবা এটা কৰিলেহেতেন তেনেকুৱা কোনো লক্ষণ দেখা নগ'ল। যেতিয়া এটা বাজিল তেতিয়া মই উঠি পৰিলোঁ। মোৰ কোঠালিটো পৰিছিল অইন ঘৰ এটাত কিন্তু মিত্তিৰ থকা ঘৰৰ লগত জোৰালগা।

কথা আছে কালি পুৱা ৯ টাৰ সময়ত ইম্পিৰিয়েল এৱাৰ ওৱেজৰ গাৰী আহি মোক এৰোড্ৰোমলৈ লৈ যাব।



'মাজ্য' পীৰ—কৰাচীৰ পৰা দহ মাইল দূৰত থকা এখন উন্নত গাওঁ



এটি প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ—কৰাচী

হাতত পৰা গৈছে ! তাছ উলিয়াই লৈ 'পেছেন্স' খেলা খেলিবলৈ ধৰিলো। এনে সময়ত এজন (চাকৰ হাই-ফাই কৰি লাৰি আহি খবৰ দিলে—"মিত্তিৰ সাহাব আপকো টেলিফুঁ মে বলাতেহেঁ।"

"হেলো মিঃ চৌধুরী, কালকে আপনাকে ভোরে ৩টার সময় প্লেনে চাপতে হবে। আমরা সকালে ডেবটার সময় গাড়ী পাঠার আপনার কাছে।" সুধিলো—"আজির কারণে আশা এবিম নেকি?" "হ্যাঁ আর আশা নেই। আচ্ছা নমস্কার।"

আবেলি মিত্তিবর ঘবত বহি কথা পাতি আছো, এনে সময়তে এজন প্রৌঢ় বয়সব ভদ্রলোক আহি সোমাল। মানুহজন বসিক, কথাই কথাই হাঁহি দেমালি। মিত্তিবে মোব লগত পবিচয় কবি দিলে—এও হ'ল—মিঃ প্রামাণিক. আমাকোকব এই ঠাইব 'মেটিওবলজিষ্ট' "লাহোবব পবা আহিবব সময়ত কেনে লাগিল।"

মই কলো,—"লাগিলতো ভালেই; কিন্তু ধুলা খাই খাই প্রাণ যে আক অলপ হলেই গৈছিলেই।" মিঃ প্রামাণিকে হাহি কলে—"আপুনি তো বাবিষাব সময়ত আহিছে এতিয়া ধুলা কিছু কম।"

"বাপ্পাই! এই যদি কম হয়, তেনেহলে নাজানো ইয়াব বেছি কেনেকুবা। বোধকবো তেনে অৱস্থাত আহিব লাগিলে উটব নিচিনা মুখ দবকাব।"

তেওঁ কবাচীব ভিতবত দর্শনীয় 'মাগব পিব' নামব ঠাই



বগদাদব বিমানপোত

(meteorologist) আক এখেতব লগত নানা কথা বতবা চলিল। খোৱাব সময়ব ঘণ্টা পবিল। মিঃ প্রামাণিক খিন্ন হ'ল। যাবব সময়ত, খোৱা লোৱাব পিছত তেওঁব বহাটৈ যাবটৈ অনুবোধ কবি গ'ল।

মিঃ প্রামাণিকব বহাটৈ গলো। তাতে মিচেছ প্রামাণিকব লগত আলাপ হ'ল। তেখেতে সুধিলে খনব কথা উল্লেখ কবিলে। ইয়াব পবা ৮ মাইল মান হব। দেখিব লগীয়া বিশেষ একো নহলেও সক এটা মন্দিব আক তাব লগতে এটা পুখুবী। সেই পুখুবীটোৱে চাবলগীয়া। প্রায় দুশ কি আঢ়াই শ মান কুম্ভিব তাতে থাকে। এটা মাছুহ নিচেই ওচবটৈ গৈ ঘবীয়াল বিলাকক মঙহ খুৱায়। মিচেছ প্রমাণিকক সুধিলো



আন এটি হিন্দু মন্দিব—কবাচী



গান্ধী গার্ডেন—কবাচী

তেখেতে এবোপ্লেনত উঠিছে নে নাই। কলে—"উঠিছো। মিটোত যাব সেইটোত উঠা নাই। পিছে ভিতবলৈ বহুত বাব। পিছে হাহব দৌব চোতালত। সিও সোমাই চাইছো অৱশ্যে, বেছ চমৎকাব।"

আকৌ নিচেই নিচেই সক সক প্লেনত। আপুনি আক কেইটামান আন কথাব পিছত আমি বিদায়

ললোঁ। মিঃ প্ৰামাণিকে তেওঁৰ 'চেভ' খনেৰে আমালোকক হোটেলত থৈ গ'ল। এওঁলোকৰ লগত কথাবাৰ্ত্তা পাতি ভালেই কটালোঁ। অলপ পিছতে মিত্তিৰ এৰাৰ পোৰ্টলৈ গুচি গ'ল।

বিছনাত শুই চিন্তা কৰোতে ২ কেতিয়া যে টোপনি আহিছিল কব নোৱাৰোঁ। হোটেলৰ চৌকিদাৰে নামাতিলে বোধকৰো ৰাতি পুৱালেহেঁতেন। অৱশ্যে আগেয়ে উপদেশ দিয়া আছিল চৌকীদাৰক। তাৰাতাৰি তললৈ নামি আহিলো। চৌকীদাৰে আগেয়ে মাল বস্তু গাৰীত তুলি দি থৈছিল। হোটেলত প্ৰতিধ্বনি তুলি গাৰী মোক লৈ চলিল।



কেইৰো নগৰৰ সাধাৰণ দৃশ্য

ৰাতিটো ঘুট ঘুটা আন্ধাৰ। অকল তৰাবিলাকে দাঁত উলিয়াই হাহিছে। বতাহৰ লগত সাৰথিয়ে অৰিয়াঅৰি, কৰি তাৰ গাৰী চলাইছে। বিৰাট গছবিলাক দৈত্যৰ নিচিনা থিয় হৈ আছে যেন গাৰীখনক এবাৰ ধৰিব পাৰিলেই চুৰমাৰ কৰি পেলাব। এই যা! সুলকি গ'ল। আৰু এটা—আৰু এটা—না, আৰু গণিব নোৱাৰো। মনত হ'ল চি-চি খেলৰ কথা। শত্ৰুৰ ব্যূহৰ মাজেদি গৈ সকলো কেইটাকে একৰাই গন্তব্য স্থানত উপস্থিত হোৱা। উঃ আৰু কিমান দূৰ? সৌৱা এটা ৰঙা চাকি দেখা গৈছে। ধেৎ ইটো এটা মটৰৰ পিছৰ বাতিহে। আৰু এটা ৰঙা চাকি দেখিছোঁ, নহয় এই বেলি সঁচাকৈ এৰোড্ৰোমত আহি পৰিলোঁ। বুকুখন অলপমান কঁপি উঠিল। মনক ধমক লগালো। বুজালো—হেৰ! তই ডমডমত কিমান অসূৰ্য্যস্পৰ্শাক প্লেনত উঠা দেখিলি, যি লাজত সিদিনা তই নুঠিলি। এতিয়া তই মোক নুঠোতেই ভয় খুৱাবলৈ ধৰিছ। অলপ পিছতে ডাক্তাৰৰ, ঘৰলৈ মোক মাতিলে। ইবেলি মোৰ বুকু খন আৰু বেছিকৈ কঁপিব ধৰিলে। কাৰণ এবছৰ মান আগতে অতিৰিক্ত পৰিমাণে 'কছৰৎ' কৰাৰ বাবে হৃদযন্ত্ৰৰ অলপ গোলমাল ঘটাইছিলোঁ। তাৰ ওপৰত আকৌ বহুতে এই ডাক্তৰী পৰীক্ষাৰ সম্বন্ধে নানা ৰকম ভয় দেখুৱাইছিল। তথাপি যাবই লাগিব—উপায় কি! অতি কষ্টেৰে অলপ সাহস সঞ্চয় কৰি সোমালো ডাক্তৰৰ ঘৰত। 'সাহসে সিদ্ধি'

হলো সেয়েই। ডাক্তৰে একো নকলে। অকল নাড়ী টিপি এৰি দিলে। যাওক—হাফ এৰি বাচিলো। মনত বহুত গুণ সাহস ফিৰি আহিল।

ইপিনে আহি দেখো মিত্তিৰ কামত বেজাই ব্যস্ত। ই বাকছ সি বাকছ লৈ টনা আজোৰা লগাইছে আৰু মালিকৰ পৰা টানি টানি সিবিলাকৰ ভাৰাৰ টকা আদায় কৰিছে। মোক দেখি কলে—"এৰা আহিছে চোন! ল'ক,—আপোনাৰ কেমেৰাটো। তাৰ পিছত উঠক এইটোত।" লগে লগে ১৬৫৲ টকাৰ ধাক্কাত পৰি



জমীদাৰ শ্ৰীযুত জগদিন্দ্ৰ নাৰায়ণ চৌধুৰী

(ওৰফে—বীৰু)

গলোঁ। একৰ পিছত ইমান দীঘল দুডাল নেজ আহিব মই ভবাই নাছিলোঁ। যেতিয়া নিজৰ গাৰ ওজন লৈছিলো তেতিয়া ৩০।৩৫ সেৰ মাল বিনা মাছুলে লৈ যাব পাৰিম বুলি কথা আছিল। মোৰ বেছ মনত আছে এমেৰিকান এক্স প্ৰেছৰ মানুহে তাকে কৈছিল। পৰিছো যবনৰ হাতত—টকাতো দিবই লাগিব।

তাত দুজন আৰ্য্যৰ লগত আলাপ হ'ল। এওঁলোক আহিছে বোম্বেৰপৰা। বেহৰিন্‌লৈ যাব মুকুতা কিনিবৰ বাবে। আমালোক এই তিন আৰ্য্যৰ বাজে আৰু সকলো বিলাক ডাৰউনৰ দেশৰ মানুহ। এই দুই ভায়াৰো প্ৰথম যাত্ৰা শূন্য মাৰ্গেদি।

সময় চাপিছে ওচৰ। ইবেলি বান্ধোন ছিঙিব লাগিব। সৰু চকা লগোৱা জখলাৰে এজন এজন কৈ যাত্ৰী সকল প্লেনৰ ভিতৰলৈ সোমালোঁ। মাজেদি বাট। আৰু দুফালে বহিবৰ চকী। একোটাত দুজনকৈ বহিব পাৰি।

সকলোৰে আগত বহে সাৰথী। (Pilot) তাৰ পিছতেই এটা কোঠালী ঠিক মাজতেই অৰ্থাৎ যি ঠাইৰ পৰা দুফালে দুখন পাখা ওলাইছে সেই ঠাইত, এফালে ডাক আৰু যাত্ৰী সকলৰ মাল বস্তু ৰখাৰ নিমিত্তে। আন ফালে পায়খানা, হাত-মুখ ধুবৰ 'গোছল' খানা তাৰ পিছত পানীয় জলৰ বাকছ—তাত থাকে লিমোনেড, ছোডা লিমন স্কোয়াছ আৰু মদ। তাতে এটা কাটা চামচ, প্লেট (চেলুলইডৰ) পেয়ালা, গ্লাছ আদি ৰাখিবৰ থাক। আৰু সেই বাকছৰ ওপৰত বহে ষ্টুয়াৰ্ট, তাৰ পিছত এটা কোঠালী। এই প্লেনখনত ৩৮ জন যাত্ৰী নিবৰ ব্যৱস্থা আছে। অৱশ্যে আমি বেছি যাত্ৰী নাছিলোঁ।

এই প্লেন খনৰ চাৰিটা প্ৰপেলাৰ, ওপৰৰটোত পাখাও (wings) দুটা আৰু তলৰটোত দুটা।

দুৱাৰ বন্ধ হৈ গ'ল। কড়—ড় ভড়—ড় ভট্ ভট শব্দ উঠিল। অন্তৰৰ ভিতৰত ইয়াত কৈও তুমুল কাণ্ড আৰম্ভ হ'ল বেছি। দূৰত মিত্তিৰ লেম্প লৈ থিয় হৈ আছে। O. K. (সকলো ঠিক) উত্তৰ হ'ল—ও—কে, (O. K.) সেউজীয়া হৈ গ'ল চাকিৰ বৰণ। লাহে লাহে আমালোকক লৈ এই সৰু সুৰা ঘৰটো লৰ মাৰিলে। এৰোড্ৰোমত এটা পাক ঘূৰণি মাৰি ব্যোমজান ব্যোমত উঠিল।

—আগলৈ

কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—কৃপাবৰ

জয়ধ্বজ। ডাঙৰীয়াই শুনিছেনে নাই কব নোৱাৰো এইবাৰ "অসম সাহিত্য সভাৰ" সভাপতি শ্ৰীযুত অমুক ডাঙৰীয়া হৈছে।

বৰবৰুৱা।—শুনিছো, শুনি সন্তোষ পাইছো! যোগ্য লোক বাছনিত উঠিছে। কিন্তু মোৰ হেপাহ হৈছিল, সোনকালে এগৰাকী অসমীয়া মহিলাক যেন সেই আসনত সভাপত্নীৰূপে দেখিবলৈ পাম। আশা নুপূৰিল; মনত খেদ ৰল।

জয়ধ্বজ—"সভাপত্নী" কথাষাৰ ডাঙৰীয়াৰ মুখত ওলাল। মই কিন্তু আগেয়ে কোনো সাহিত্যিকৰ মুখত এই কথাষাৰ শুনা নাছিলো।

বৰবৰুৱা—নাই শুনা যদি এইবাৰ শুনি লোৱাঁ। আমাৰ কথাতে কয় "বামুণৰ মুখে বেদ, মোলোনাৰ মুখে ছেদ" হাজাৰ বাৰশ সমজুৱাৰে গঠিত সভা এখনৰ আজি কালিৰ দিনত পুৰুষ এজন পতি হব পাৰে, অথচ তিৰুতাৰ বেলিকা লাগিল খোপ আৰু তেনে কথাই তোমাৰ কাণত টহটহাই গল। কাৰণ তিৰুতা অবলা দেখি, নহয় নে? কংগ্ৰেচৰ পতিস্বৰূপে এবাৰ শ্ৰীমতী সৰোজিনী নাইডু থিয় দিছিল! কংগ্ৰেচ কথাটোৱেই ইংৰাজী। ইংৰাজীত এনে ব্যাকৰণ বিভ্ৰাট ঘটি থাকে; নতুবা ইমানবোৰ গ্ৰাজুৱেট তিৰুতাক বি-এ, অৰ্থাৎ বেচেলৰ অব্ আৰ্টচ ইংৰাজীত নুবুলিলেহেঁতেন। আমাৰ সাহিত্য সভা এই দেশৰ সভা, সেই দেখি তাৰ শ্ৰেষ্ঠ আসনখনত বহোতাজন যদি তিৰুতা হয়, তেন্তে তেওঁ সভাপত্নী নহৈ কি হব তুমি মোক কোৱাচোন। তিৰুতাই শিলত মূৰ আফালি মৰিলেও পতি হব নোৱাৰে। সাহিত্য সভাত এনে অশুধ ব্যৱহাৰ চলিলে আনৰ কথাকে নকওঁ ব্যাকৰণে কি বুলিব? যি হওক, পতি পত্নী দুয়ো ঘৰখনৰ সমান অংশীদাৰ। তিৰুতা পুৰুষৰ অৰ্দ্ধাঙ্গিনী। ইংৰাজে আৰু এখোপ ওপৰলৈ গৈ তিৰুতাক Better-half বোলে।

জয়ধ্বজ—ডাঙৰীয়াই মোৰ দোষ মৰিষণ কৰিব; শাস্ত্ৰত, লৌকিক আৰু সামাজিক হিচাপত তিৰুতা কেতিয়াও পুৰুষৰ সমান হব নোৱাৰে। আজি কালিৰ উতনুৱা ডেকাই যি কওক কিন্তু তিৰুতা কস্মিন কালেও পুৰুষৰ সমান হব নোৱাৰে। এই কথা ঠিক অতীজৰ পৰা, আন কি ঋক্ বেদৰ কালৰে পৰা শাস্ত্ৰকাৰ সকলে তিৰুতাক হীন বুলি ধৰি আহিছে। ঋক্ বেদ সকলোবোৰ হিন্দু শাস্ত্ৰৰ ওপৰত "ওস্তাজ" তো! "ওস্তাজৰ মাৰ শেহ-নিশাত" বুলি কয়। কিন্তু এই ওস্তাজ অৰ্থাৎ ওজাই আগ নিশাতে মাৰ শোধাই থৈছে। ঋক্‌বেদে কয় "সালাবৃকানাং হৃদয়ান্যেতা।" মানে, তিৰুতা হিংস্ৰ বৃকৰ নিচিনা। "ন বৈ স্ত্ৰৈণানি সখ্যানি।" অৰ্থাৎ তিৰুতাৰ হৃদয় স্নেহ আৰু প্ৰেমবৰ্জ্জিত "স্ত্ৰিয়া অশাস্যাং মনঃ" অৰ্থাৎ তিৰুতাৰ মন শাসনৰ অযোগ্য। শাস্ত্ৰ মহাসভাৰ সভাপতি ঋক্‌বেদে যেতিয়া এইদৰে কৈছে, 'ইতৰস্য কা কথা।'

বৰবৰুৱা—শুনা জয়ধ্বজ বোপা! তুমি এইদৰে ফক্‌ফকাই নুফুৰিবা মই কৈছো। তোমাৰ "অল্প বিদ্যা ভয়ঙ্কৰী" হৈ উঠিছে। ইংৰাজীত কবৰ দৰে Little learning is a dangerous thing। এইদৰে ফক্‌ফকাই ফুৰিলে আজি কালি বিপদতো পৰিবৰ সম্ভৱ। এমেজনিয়ানীহঁতৰ কথা নিশ্চয় কাকতে পত্ৰই তুমি পঢ়িছা। আমাৰ পুৰাণতো প্ৰমীলাৰ দেশৰ প্ৰমীলাহঁতৰ কথা লেখা আছে। আজিকালি তিৰুতাই সকলো বিষয়তে পুৰুষৰ শাৰীলৈ উঠিবলৈ কঁকালত কমৰ বান্ধি লৈছে পাৰক নোৱাৰক, হৰৰ ডম্বৰুৰ নিচিনা কঁকালত

টানি টানি তেওঁলোকে ৰিহাৰ আচলটো বান্ধিছে তো। অৱশ্যে লেখা-পঢ়া,—যাৰ নাম বিশ্ববিদ্যালয়ৰ পৰীক্ষা পাছ তাত তো তেওঁলোকে নিজৰ পৰম বিক্ৰম দেখুৱাইছেও। মালশ্ৰমতো লাগিছে বপুৰীহঁতে ভালকৈয়ে। বক্তৃতাত তো কথাই নাই—তেওলোকৰ মুখত ৰাজহাঁহত উঠি বাকদেৱীয়ে বীণা বজাবই লাগিছে। "পলিটিক্‌চ"। "ষ্টেটিচষ্টিকচ" "ফিডোলষ্টিক্‌চ" তেওঁলোকৰ কাৰো কাৰো হাতত "টেনিচ বেট" আৰু "হকিষ্টিক্‌চৰ" নিচিনা হৈ পৰিছে। পুলিচে 'ৰেগুলেশ্যনষ্টিক" ঘূৰোৱাৰ দৰে তেওঁলোকেও "ৰেগুলাৰেই" হওক বা "ইৰেগুলাৰেই' হওক "ষ্টিক" অৰ্থাৎ লাঠি বা লাখুটি ঘূৰাবলৈ ভালকৈ শিকিছে। এতেকে জয়ধ্বজ সাৱধান।—যদি তোমাৰ পিঠিৰ ছাললৈ অলপো মৰম-বেথা আছে।

আৰু একেবাৰ কথা কওঁ শুনা,—হিন্দুৰ বেদ বোলা সংহিতা বোলা, পুৰাণ বোলা; খৃষ্টানৰ বাইবোল্ বোলা; বৌদ্ধৰ ত্ৰিপিটক বোলা, কোনো গ্ৰন্থই একেজন মানুহৰ দ্বাৰাই বিৰচিত নহয়। তাত নানালোকৰ নানা চিন্তাৰ ধাৰ সোমাইছে। সেইবোৰ বিভিন্ন মতৰ "ছৰে-কৰম্বা-ৰুদে—ৰকাৰখানা" থকা "মেগেজিন" অৰ্থাৎ খাৰ-ঘৰ হৈ পৰিছে। মোৰ নোপজা সৰু লৰাটোৰ মূৰ খোৱা শপত খাই মই তোমাক কওঁ যে আচলতে এই গ্ৰন্থবোৰ nothing but সংগ্ৰহ বচন মাথোন। আগৰ কালৰ অনেক ঋষিয়ে ঈশ্বৰৰ বিষয়ে বা আধ্যাত্মিক বিষয়ে, অথবা সামাজিক সুশৃঙ্খলাৰ বিষয়ে নানা কালত নানা অৱস্থা অনুসৰি যেনে বিধি ব্যৱস্থা বিহিত বুলি কৈছিল, আৰু চলাইছিল, সেইবোৰকে পিছত একে লগ কৰি একোখন বেদ, সংহিতা, বা পুৰাণ কৰা হৈছিল। মনুৰ নামত মনু সংহিতাত কত লোকৰ কত কথা সোমাইছে, ঠিক-ঠিকনা তুমিও কৰিব নোৱাৰা ময়ো কৰিব নোৱাৰো। খৃষ্টানৰ "ওল্ড টেষ্টামেণ্টৰ" কথাকে নকওঁ, "নিউ-টেষ্টোমণ্ট" বাইবোলৰ ভিতৰত, ঘাইকৈ চাৰিখন "গছ্‌পেল" গ্ৰন্থ;—যথা,—মেথিউ, মাৰ্ক, লুক, জনৰ "হাল-চাল।" কি জানানে? ঈশু খৃষ্টৰ বিষয়ে নানাজনৰ দ্বাৰাই লিখিত এশ-এখন গ্ৰন্থৰ বস্তু বিচাৰ কৰি সম্ৰাট কন্‌ষ্টেন্‌টাইন্ আৰু তেওঁৰ আগৰ পিছৰ কালৰ মহাসভাবোৰত এই চাৰিখন বাছনিত উঠা বস্তু। বুদ্ধদেৱৰ প্ৰয়াণৰ পিছত বস্তু-বিচাৰ কৰি মহাসভাত একে ঠাই কৰা বৌদ্ধগ্ৰন্থ ত্ৰিপিটকো তেনে জাতৰে। আমাৰ বেদব্যাসে ঘাটিঘুটি বেদ বিভাগ কৰি চাৰিখন বেদৰ চাৰিটা গোঁজ মৰাৰ অৰ্থও দকৈ ভাবি চালে তাকেই পাবা। শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে:—

"ব্যাস নামে ভৈল সত্যৱতীৰ সন্ততি।
দেখিলাহা প্ৰজা ভৈল অতি অল্পমতি॥
কৰিলা অনেক শাখা চাৰিও বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ॥"

আন নালাগে তুলনাত সিদিনাৰ শিখ ধৰ্ম্মৰ মহাগ্ৰন্থ "গ্ৰন্থ চাহেব" কি জানা নে! আদি গুৰু নানকৰ ৰচনাকে প্ৰমুখ্য কৰি পিছৰ গুৰু সকলৰ ৰচনাৰ সংগ্ৰহ। তাত নামদেৱ, ত্ৰিলোচন, পৰমানদ, সাধনা, বেণী, ৰামানন্দ, ধন্না পীপা, সেন, কবীৰ, ৰুইদাস, ফৰিদ্, ভিখনৰ, আন নালাগে, কেন্দুবিল্ব গ্ৰামৰ জয়দেৱৰ ৰচিত গীত পদো সোমাইছে। ফৰিদ আৰু ভিখন দুয়ো আছিল মুছলমান সাধু! মীৰা বাইৰো দুটা এটা পদে তাত ঠাই পাইছে।

মুঠতে কওঁ, যে এইটো ভালকৈ মনত ৰাখিবা জয়ধ্বজ, যে তিৰুতাৰ বিপৰীতে যোৱা বিদ্ৰোহ বাণী চলাওঁতা মাথোন পুৰুষ আৰু পুৰুষ। সেই পুৰুষ শাস্ত্ৰকৰ্ত্তাই হওক বা গৃহ-কৰ্ত্তাই হওক নাইবা বঙ্গালী মাতেৰে কবলৈ গলে "বাড়ীৰ বড় কৰ্ত্তাই হউন, কিম্ব ছোট কৰ্ত্তাই হউন।" পলসৰ ভিতৰত থকা সাৰ পদাৰ্থ হৈছে;—"Might is right," অৰ্থাৎ "জোৰ যাৰ, মলুক তাৰ।" আৰু এটা কথা ভালকৈ মন কৰিবা জয়ধ্বজ বোপা! ঋক্‌বেদৰ মন্ত্ৰদ্ৰষ্টা সকলৰ ভিতৰত কিছুমান তিৰুতাও আছে। কিন্তু তেওঁলোকৰ ৰচিত মন্ত্ৰবোৰৰ ভিতৰত পুৰুষৰ বিপক্ষে একাষাৰ টান কথাও কতো বিচাৰি নোপোৱা। বোলোঁ, চাই লোৱা, পুৰুষ আৰু স্ত্ৰীৰ স্বভাৱৰ কি প্ৰভেদ! স্বাৰ্থপৰ পুৰুষৰ কাণ্ড-কাৰ্খানা চোৱাঁ, আৰু স্বভাৱতে উদাৰ মনৰ তিৰুতাৰ উদাৰ ৰচনা চোৱাঁ। মানুহ মাত্ৰৰেই দোষ গুণ দুটাই আছে,—তেহেলৈ সেই ব্যক্তি তিৰুতাই হওক, বা পুৰুষেই হওক। কিন্তু কুকুৰাই ভুভুৰিয়া মাটি খুচৰি

পোক উলিৱাৰ দৰে, এদলে আন দলৰ দোষ খুচৰি উলিয়াই তাকে ডাঙৰকৈ লোকক দেখুৱাই নিজৰ গোধা ভৰি কেইটা উলুৱনিৰ মাজত লুকাই থৈ আনক গোধা বোলাৰ ন্যায় কোনখন ন্যায়শাস্ত্ৰত আছে নাজানো। এইবাবেই বৰাহমিহিৰে বৃহৎ সংহিতাত লেখিছে :—

"প্ৰকৃত সত্যং কতৰোঽঙ্গনানাং দোষহস্তি
যো নাচৰিতো মনুষৈঃ।"

অৰ্থাৎ সঁচাকৈ কোৱাচোন তিৰুতা আৰু মুনিহ এই দুইৰো ভিতৰত তিৰুতাৰ এনে কি দোষ আছে যে তেনে দোষ পুৰুষৰ গাত নাই? মনুসংহিতাৰ দোহাই দিয়াইঁক তোমালোকে। কিন্তু মনুসংহিতাই উদাৰ ভাবে কোৱা নাই নে যে—

"যত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতা।"

এই দেখিয়েই কওঁ যে শাস্ত্ৰ একোখন নানা মুনিৰ নানা মতৰ সমষ্টি। তাত "চোৰাই মাল" ভেঁজনি দিয়া টেঙা দৈ, পানী দিয়া এৰাঁগাখীৰ ঢেৰাঢেৰ। মুঠতে কবলৈ গলে কব পাৰি যে তেনে গ্ৰন্থ একোখন আমাৰ আগৰ কালৰ বুঢ়ী আয়ে হেদালিৰ ওপৰত এচুকে তুলি থোৱা ঠিক যেন সাঁচতীয়া লাম্‌লাকতিৰ টেকেলিটোহে। তাত পাৰা ফটাকানি, ফটাকঁথাশিয়া বেজী, শুকান জালুক, পিপলি, এদা, শুকান সোণবৰিয়ালৰ শিপা, পুনৰ্ণৱা, শেত্‌কাপৰা, বাবিৰিং, ভেদাইলতা, শোকোতাৰ পাত, লেটাগুটি মনিছাল, বাঘৰ নখ, বৰাৰ দাঁত, ভালুকৰ নোম, কড়ি, শামুক, সাগৰ-ফেণ, শেৱালীৰ শিপা, কুটজৰ ছাল, আগেচিটা, ধুতুৰাৰ গুটি, ভোলাগুটি, ভোম্‌লতিৰ পাত, কেয়াবনৰ শিপা, কপাহৰ গুটি, ছাগলীৰ শিং, বাহকৰ শিপা, জাতিচন্দনৰ কাঠ, ৰঙাচন্দনৰ কাঠ, গঙ্গামৃৰ্ত্তিকা, কলীয়া তুলসীৰ ফুল, নিমপাত, বগা আকনৰ শিপা, হাইতাল, শিলাজটু, মনঃ শিলা, ইত্যাদি। তাৰপৰা নীৰ এৰি ক্ষীৰ বাছি লব পাৰিলেই মঙ্গল। মুঠতে ভগবদ গীতাৰ বাহিৰে প্ৰায় সৰহভাগ শাস্ত্ৰগ্ৰন্থৰ এনে দুৰৱস্থা। গীতাত পানী দিবৰ উপায় নাছিল; কাৰণ সি বতলত ভৰাই মুখৰ ঠিলাত সঁচাৰকাঠী মৰা আজিকালিৰ "ডেইৰিৰ" (Dairy) গাখীৰৰ নিচিনা। গীতা—

"সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপাল নন্দনং।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥"

তাত শ্লোকৰ কট্‌কটীয়া লেখ আৰু সি অনেক গীতাপাঠকৰ মুখস্থ। গীতাৰ ওঠৰটা অধ্যায়; শ্লোকৰ লেখ ৭০০। শঙ্কৰাচাৰ্য্যই এই ভাবৰ শ্লোকৰ প্ৰত্যেকটোৰে টীকা টিপ্পনী কৰিছে; আৰু শঙ্কৰাচাৰ্য্যৰ কালত গীতা যেনে আছিল, আজিও সি সেইদৰেই আছে। গীতা ৰচনাৰ কাল হিন্দুৰ হিচাপত অনেক পুৰণি। য়ুৰোপীয় পণ্ডিতৰ হিচাপত সিমান নহয়। প্ৰফেচৰ লৰিঞ্চৰ (Lorinser), ৱেবৰ (Weber) আৰু লেচেনে (Lassen) কয় যে গীতা খৃষ্টজন্মৰ আগেয়ে নহয়। শঙ্কৰাচাৰ্য্যকো খ্ৰীষ্টীয় চনৰ অনেক পিছলৈ য়ুৰোপীয় পণ্ডিতে ঠেলি পঠিয়ায়। কিন্তু শঙ্কৰাচাৰ্য্যৰ জন্ম যে খৃষ্টপূৰ্ব্ব ৪০০ বছৰৰ আগেয়ে হৈছিল এই কথা প্ৰমাণিত হৈছে। এনিবেচেন্তে তেওঁৰ "অৱতাৰ" নামৰ কিতাপত লেখিছে—"Shankaraya was born few years after the passing away of the Budha, as the records of Dwarka nath show plainly—giving date after date backward until they bring his birth within 60 or 70 years of the passing of the Budha."

গীতা ভগৱন্ত শ্ৰীকৃষ্ণৰ মুখনিসৃত বাক্য। হিন্দু পঞ্জিকাৰ হিচাপত শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ ঘটিছিল খৃষ্টপূৰ্ব্ব ৩১০১ বছৰৰ আগেয়ে। হিচাপটো মই কৰি যাওঁ তুমি মন কৰি যাবা। দ্বাপৰৰ শেষত কলিৰ আৰম্ভতে শ্ৰীকৃষ্ণৰ জন্ম। কৃষ্ণ গলতে কলি প্ৰবেশ কৰিলে। কলিৰ বয়স আজি ৫০৩৫ বছৰ। খ্ৰীষ্টজন্ম হবৰ ১৯৩৪ বছৰ হল। শ্ৰীমদ্ভাগৱত লেখা আছে, শ্ৰীকৃষ্ণ এই পৃথিৱীত ১২৫ বছৰ আছিল। আমাৰ শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষাত লেখিছে :—

"যদুকুলে অৱতৰি আছা দামোদৰ।
পঞ্চিশ অধিক ভৈল শতেক বৎসৰ॥"

সেইদেখি খৃষ্টজন্মৰ ৩২২৬ বছৰৰ আগতে কৃষ্ণ জন্ম হোৱাটো পাওঁ। শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জ্জুনক

গীতা কৈছিল। এতেকে বৰ বৰ পণ্ডিতৰ কথাৰ কেৰিমেৰি পাকত নোসোমোৱাকৈয়ে গীতাৰ বয়স উলিয়াব পাৰি। এইখিনি অবান্তৰ কথা তোমাক কোৱা গল জয়ধ্বজ! এতিয়া আগৰ কথালৈ উভতি গৈ আকৌ কওঁ যে পুৰাণকৰ্ত্তা পুৰুষ ঋষিসকলক এইদেখি বৰাহমিহিৰে বৃহৎ সংহিতাত কচুপালি দি থৈছে। যেনে :—

পুৰুষশ্চটুলানিকামিনীনাং কুৰুতে যানি ৰহো
ন তানি পশ্চাৎ।
সুকৃতজ্ঞতয়াঙ্গনা গতাসূনবগুহ্য প্ৰবিশন্তি সপ্তজিহ্বম।

অৰ্থাৎ যি তিৰুতাই সংসাৰত প্ৰতাৰিত হৈয়ো সুকৃতজ্ঞতাৰ নিমিত্তে মৃতপতিক অৱলীলাক্ৰমে প্ৰবেশ কৰে, তেনে তিৰুতাৰ যি মাথোন দোষকে দেখে সি অতি দুৰ্জ্জন।

"অহো ধাৰ্ষ্টামসাধূনাং নিন্দতামনঘাঃ স্ত্ৰিয়ঃ।
মুঞ্চতামিব চৌৰাণাং তিষ্ঠ চৌৰেতি জল্পতাম্॥

অৰ্থাৎ চোৰে যেনেকৈ নিজে চুৰ কৰি আনক চোৰ! চোৰ বুলি ধৰাই দিবলৈ যায়, ইয়ো প্ৰায় তেনেকুৱাই।

পুৰাণকাৰৰ—

"নদ্যশ্চ নাৰ্য্যশ্চ সমস্বভাবাঃ
স্বতন্ত্ৰ ভাবে গমনাদিকঞ্চ।
তোয়ৈশ্চ দোষৈশ্চ নিপাতয়ন্তি
নদ্যোহি কূলানি কুলানি নাৰ্য্যঃ॥"

আকৌ—

"নদী পাতয়তে কূলং নাৰীপাতয়তে কুলম্।
নাৰীণাঞ্চ নদীনাঞ্চ স্বচ্ছন্দা ললিতা গতিঃ॥"

পুৰাণকাৰকৰ এনেবোৰ কথাৰ বৃহৎসংহিতাই উচিত উত্তৰ দিছেনে নাই, তুমি "দৰিয়াপ" কৰি মোক কোৱাঁ জয়ধ্বজ!

জয়ধ্বজ।—ডাঙৰীয়াৰ কথাৰ মৰ্ম্মটো এতিয়া মই ভালকৈ বুজিলোঁ। মোৰ আৰু এটি সৰুসুৰা প্ৰশ্ন আছে। সাহিত্য সাহিত্য, কৰি আজিকালি সকলোৱে চিয়ঁৰত গগন ফালিছে পঞ্চাশ ষাঠি বছৰৰ আগেয়ে এনে আৰাও সুধীবৃন্দৰ মুখত শুনা নাছিলোঁ। তেতিয়া কোষ, কাব্য, ব্যাকৰণ, ন্যায়, দৰ্শন, বিজ্ঞানৰ কথা হে শুনা গৈছিল; আজিকালি সেইবোৰ তলপৰি সাহিত্য, লুইতৰ পাৰৰ নল খাগৰিৰ দৰে গজি গজগজীয়াদি উঠিল। আগৰ কালৰ সাহিত্যৰ কানাই আই যশোদাৰ কোলাত বেলি দুপৰলৈকে শুই আছিল নে নাই, আজিৰ দৰে সাহিত্য-গোষ্ঠৰ কোনো গোপবালকে—

"হাৰে ৰে ৰে ৰে ৰে উঠৰে কানাই!
বেলা হল চল চল গোষ্ঠে যাই।"

এই বুলি চোতালৰ পৰা মাতি কানাইৰ টোপনি ভাঙিছিল নাজানো? সাহিত্য নামৰ বিক্ৰম-কেশৰী কোন বিক্ৰমাদিত্য এইজন? ডাঙৰীয়াই যদি দয়া কৰি মোক বুজাই দিয়ে মই পৰম কৃতকৃত্য হম।

বৰবৰুৱা। আজিলৈ আৰু মোৰ বক্‌বক্ কৰিবৰ মন নাই জয়ধ্বজ, সঁচাকৈ কবলৈ গলে, মোৰ মনলৈ উষ্মা আহিছে। I have become very much exited মহিলাসকলৰ নিন্দাবাদ শুনি। তোমাৰ সাহিত্যৰ বিষয়ে আন এদিন অলপ-অচৰপ কম; আজি লৈ—তা ৰা-ৰা-বুম্-ডিয়ে।" ইতি



ৰৱাগীৰ গীত

কবিতা—

—শ্রীযুত বিনন্দচন্দ্র বৰুৱা

কি কৈ ভ্রজিলা ধৰা মোৰ প্রভু ঐ
কি কৈ ভ্রজিলা ধৰা ;
ভালৰ ভাল বিচাৰি খাণ্ড হাবা খুৰি
ইটিতকৈ সিটিছে চৰা—
মোৰ প্রভু ঐ ! ইটিতকৈ সিটিছে চৰা,
তবাৰ মিচিকীয়া হাঁহি বিনন্দীয়া
তবাৰ মিচিকীয়া হাঁহি ;
তাবো জিলিকনি জোনে ঢাকি দিলে
সিও যে পৰিলে বাহি—
মোৰ প্রভুই ! সিও যে পৰিলে বাহি।
কুঁৱলীৰ ঘুঁৱলি আঁতবাই পুৱাতে
সোণৰ পানী চৰা বেলি,
তোমাৰ ই ধৰাকে কৰে সোণোৱালী
আন্ধাৰৰ ঢাকনি ঠেলি—
মোৰ প্রভু ঐ, আন্ধাৰৰ ঢাকনি ঠেলি।
জুৎকৈ বলিলে জহৰ বা এডাটি
ধৰালৈ আনিলে শাঁতি ;
মেঘৰ চকু পানী পৰে ধৰা খনি
সইচে পেলালে চাতি—
মোৰ প্রভু ঐ ! সইচে পেলানে চাতি।
সোণতকৈ সুৱৰ্ণী কবি সৰজিলা
চেনেহৰ ফুলনি ফুল,
দিনে লহিয়ালে তাবো আয়ু যায়
ভাবিয়ে নেপালো কুল—
মোৰ প্রভু ঐ ! ভাবিয়ে নেপালো কুল।
কি কৈ ভ্রজিলা চেনেহী জননী
কি কৈ ভ্রজিলা পিতা ;
তোমাকো পাহৰো জগতো পাহৰো
পাহৰো মৰণৰ চিতা—
মোৰ প্রভু ঐ ! পাহৰো মৰণৰ চিতা।
মুখৰ মিচিকীয়া হাহিত পাহবিলোঁ
ক্ষন্তেকৰ লগৰী ধুলি ;
এদিনৰ সুখতে পাহৰি পেলালো
মই যে চৰণৰ ধূলি—
মোৰ প্রভু ঐ ! মই যে চৰণৰ ধূলি।
কি কৈ ভ্রজিলা ধৰা বিনন্দীয়া
কি কৈ ভ্রজিলা ধৰা,
তুমিয়েই তোমাকে পাহৰাই প্রভু
মায়াতে বিভোল কৰা—
মোৰ প্রভু ঐ ! মায়াতে বিভোল কৰা।
মায়াৰে সজালা মায়াৰে তবিলা
সকলো তোমাৰে মায়া ;
মায়াতে ভজিছে মায়াতে এৰিছে
শ্রী চৰণৰ ছায়া—
মোৰ প্রভু ঐ ! শ্রীচৰণৰ ছায়া।
কবোৱাই কবিছা তুমিয়ে সকলো
অধমৰ ক্ষমিব ধাৰ ;
ধৰাৰ তবা গাঁথি ছিগিব যেতিয়া
দিবা চৰণত ঠাই।
মোৰ প্রভু ঐ ! দিবা চৰণত ঠাই।

* * * *

তোমাৰ ভক্তৰ ধূলিবো দুখীয়া
মুকুথ বিনন্দে কয় ;
আনন্দৰ নিজৰা সুখবো অমিয়া
তোমাৰ নামতহে বয়—
মোৰ প্রভু ঐ ! তোমাৰ নামতহে বয়।

স্বৰলিপি

ললিত—একতালা (মধ্যম লয়)

বচয়িতা—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ

স্বৰলিপি—শ্রীযুত ধনেশ্বৰ গোস্বামী বি, এচ, চি

সূত্র।

প্রভাতে পঞ্চম ঋষভ নীবৱ
কোমল ঋষভে ললিত গায়।

গীত।

কি কলি কি কলি এনেকৈয়ে জলি
পুৰতিৰে তৰা ক'তে লুকালি।

(১)

পৰশত কাৰ ফুলে ফুল কলি
নেপুৰত কাৰ বাজিছে কাকলি
কোন ঐ কোন ঐ আহে জিলি মিলি
খোজে খোজে উৰে সোণাৰে ধূলি।

(২)

"আজ্যোতিৰেতি" সৰস্বতী তীৰে
উঠে পুণ্য গীতি কাৰ সুৰে সুৰে
খোল ঐ খুলিদে হিয়াৰে দুৱাৰ
সুৰ সাগৰত পৰোঁ গৈ ঢলি।

০	১	+	৩	(২)
গা মা ধা	মাধা নিসা নি	ধা নি ধা	মা মা গা	
প্র ভা তে	প০ ঋ০ ম	ঋ ষ ভ	নী ৰ ব	
কি ক লি	কিক০০ লি	এ নে কৈ	য়ে অ লি	



অন্তরা









বিক্তা

গল্প— —শ্রীযুতা লীলা দেবী বি-এ

আনদিনার নিচিনা সেইদিনা ৰ'দ উঠা নাই। বাতিপুৱাৰ পৰাই বতৰটো ডাৱৰীয়া। গোটেই খন আকাশ মেঘে ছাতি আছে। প্ৰত্যেক মুহূৰ্ত্ততে ববষুণ দিওঁ দিওঁ কৰিছে। কিন্তু দিয়া নাই। পৃথিবীয়ে গহীন মূৰ্ত্তি ধাৰণ কৰিছে। প্ৰকৃতি দেবীৰ এই গহীন ছবিটি দেখি গছৰ পাত এটায়েও যেন নৰিবলৈ সাহ পোৱা নাই, চৰাই এটিয়েও কিবিলিয়াব পৰা নাই।

ভৰ চুপৰীয়া। চাৰিউপিনে নিজান নিতাল। বাহিৰৰ এই গভীৰতাই আহি দেৱীৰ অন্তৰৰ তাঁৰ এডালিত এটা গহীন সুৰৰ ঝঙ্কাৰ তুলিছে। এটা কৰবাৰ অজানা দুখে দেবীৰ মনটো ভৰি পৰিল—ক্ষন্তেকৰ কাৰণে মনটো তেওঁৰ ভাঁহি গ'ল অতীতৰ পুৰণি স্মৃতিৰ স্তূতীত।

বৰ্ত্তমানৰ সৃষ্টি অতীতৰ ভেটিত। ভূত, ভবিষ্যত বৰ্ত্তমান, এটাকো আমি আনটোৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰোঁ। প্ৰত্যেকেই প্ৰত্যেকৰ লগত অঙ্গাঙ্গী ভাবে লগ লাগি আছে। প্ৰত্যেকেই এক অখণ্ড মহাকালৰ অংশ। সেইকাৰণেই ইটাক সিটোৱে সততে সোঁৱাই দিয়ে।

শিখা আছিল বাপেক মাকৰ একমাত্ৰ ছোৱালী। দেৱী আছিল তেওঁৰ অন্তৰঙ্গ বন্ধু। দেবীৰ মাক, বাপেক, ভায়েক ককায়েক সংসাৰত কোনো নাছিল। এবাৰ নিষ্ঠুৰ বান পানীৰ বুকুত সকলোবোৰ উটি গ'ল কৰবাটৈ আক কেতিয়াও উভতি নাহিল। থাকিল মাথোন এই হতভাগিনী দেবী। সকৰে পৰা অতিকষ্টত ডাঙৰ দীঘল হৈ জীৱন পথত নানা বকমৰ ঘুমুহাৰ মাজেৰে পাৰ হৈ আহি আজি দেবী উন্নতিৰ জখলাত ইমানখিনি উঠিব পাৰিছে।

যদিও শিখা আক দেবী আছিল দুয়ো দুয়োৰে অতি মৰমৰ তথাপি ইজনে সিজনক জানিবলৈ সকৰে পৰা সুবিধা পোৱা নাছিল। এজনৰ অন্তৰত আনজন সোমাবলৈ সুবিধা পালে তেওঁলোকৰ কলেজীয়া জীৱনত। দুয়ো সেইবাৰ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত একে কলেজত ভর্ত্তি হ'ল। তেতিয়াৰ পৰা তেওঁলোক দুয়ো একে হোষ্টেলত থাকিব লগা হ'ল। দৈনন্দিন খুঁটি নাটি কামবিলাকতো ইজনে সিজনৰ লগ নেবিছিল এজনৰ বিচ্ছেদ আনজনৰ অসহনীয় হৈ উঠিছিল। এই দৰে একেলগে থাকি তেওঁলোক চতুর্থ বাৰ্ষিক শ্ৰেণীত উঠিল ; এইবাৰ বি-এ পৰীক্ষা দিব।

শিখা আছিল দেৱীতকৈ প্ৰকৃতিত অলপ বেলেগ, সকৰে পৰা তেওঁ আছিল বিদ্রোহী মনৰ। সদায় বিচাৰিছিল সমাজৰ বিৰুদ্ধে, শাসননীতিৰ বিৰুদ্ধে বিদ্রোহৰ জুই জলাই দিবলৈ। বিদ্রোহৰ জুই তেওঁৰ চুগুণে জলি উঠিছিল যেতিয়া তেওঁ বৰ্ত্তমান সমাজত তিৰোতাৰ স্থানৰ কথা ভাবিছিল। পুৰুষে কেনেকৈ নাৰীক শক্তিহীনা কৰি পেলাইছে, এই অসীম শক্তিময়ী নাৰীক ক'ৰ পৰা খানি পিঞ্জৰাৰ সঙ্কীৰ্ণ সীমাৰ ভিতৰত বন্ধ কৰি পেলাইছে এইবোৰ ভাবি শিখাৰ বুকৰ তেজ উতলি উঠিছিল। সদায় ভাবিছিল পঢ়াশুনা শেষ কৰি উঠি ইয়াৰ এটা প্ৰতিবিধানৰ চেষ্টা কৰিব—সকলো ভাঙি ছিঙি নতুন ঠাঁচত সমাজক গঢ়ি তুলিব।

দেবী আছিল অলপ চিন্তাশীলা আক গহীন প্ৰকৃতিৰ। এইবোৰ ভাব আক চিন্তাৰ ঢৌৱে যে দেবীৰ মনতো হেন্দোলনী তোলা নাছিল এনে নহয়। কিন্তু কোনো কাম দেবীয়ে হঠাৎ নকৰিছিল। সেইদেখি বহুত সময়ত এইবোৰ ভাব দেৱীৰ মনত জলি উঠি আকৌ সুমায় যোৱাও

দেখা গৈছিল। নিজৰ জীৱনৰ দুখৰ স্মৃতিবিলাকে দেবীৰ মনত ক'লা ছাঁ এটাটো পেলাইছিলেই তাৰ উপৰিও তেওঁৰ কিছুমান দুখ আছিল যি বিলাকক তেওঁ শিখাৰ বাহিৰে কাকো জানিবলৈ দিয়া নাছিল। তেওঁ প্ৰায়েই কৈছিল—"বুজিছা শিখা নিজৰ অসাৰ্থকতা অপূৰ্ণতা আৰু অনুপযোগীতাৰ কথা ভাৰোঁ, সঁচাকৈ অন্তৰ দুঃখেৰে ভৰি উঠে। এই অসীম অনন্ত আকাশৰ তলত ভগবানৰ বিৰাট সৃষ্টিৰ মাজত আমি কিমান দীন। যদি পাৰিৰ বন্ধন লঙ্ঘন কৰি জ্ঞানৰ জ্যোতিৰে বাট পোহৰায় জীৱনৰ লক্ষ্যৰ পিনে আগবাঢ়ি যাব নোৱাৰোঁ তেন্তে এই মনুষ্যজীয়া জীৱন ধাৰণৰ অৰ্থ হ'ল কি? সেই ক্ষণস্থায়ীত ভগবানৰ বিৰাট সত্বা উপলব্ধি কৰি যিদিনা হৃদয়ৰ সকলো দুৰ্ব্বলতা মছি পেলাই মানুহৰ একান্ত বাঞ্ছিত চিৰন্তন সত্যৰ ক্ষীণ আভাস এটিও দেখা পাম সেইদিনাহে ভাবিম জীৱনত শান্তিৰ জ্যোতি বিৰিঙি উঠিছে, তেতিয়াহে পাম প্ৰকৃত সুখৰ সন্ধান, নহয় জানো শিখা?"

"যৈ দিয়া দেৱী তোমাৰ ফিলজফি। এতিয়া ফিলজফিৰ দিন নহয়। এতিয়া হৈছে প্ৰগতিৰ দিন। প্ৰত্যেক যুগৰ এটা বিশিষ্ট মূৰ্ত্তি আছে। বৰ্ত্তমান যুগে সদায় অতীত যুগক পাছত পেলাই কৰ্ম্মক্ষেত্ৰত আগবাঢ়ি যাবলৈ চেষ্টা কৰে, জানাইতো কালৰ প্ৰগতিৰ লগত মানৱ প্ৰগতিৰ সম্বন্ধ অতি ডাঙৰ। সেই কাৰণে আমি এতিয়া পুৰণাক ভাঙি নতুনক গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব।"

"ৰাখ শিখা সেইদিনা যে আমাৰ দিপালী সঙ্ঘৰ এখন মিটিং বহিছিল কি কি প্ৰস্তাৱ তাত গৃহীত হল।"

"তাত সেইদিনা আমাৰ আশ্ৰমগনৰ স্কীম এটা মই দাঙি ধৰিছিলো। মোৰ ইচ্ছা কি জানা দেবী? বৰ্ত্তমান যি টকা আমাৰ হাতত আছে তাৰে আমি ঘৰ ছটামান সাজি কাম আৰম্ভ কৰাটোই আমাৰ উদ্দেশ্য হোৱা উচিত। এটা ঘৰ দিয়া হব আশ্ৰয়হীনা বিধবা আৰু স্বামীৰ দ্বাৰা নিৰ্য্যাতিতা হোৱা তিৰোতা বিলাকৰ কাৰণে আৰু আন এটা দিয়া হব অনাথ মাউৰা লৰাছোৱালী বিলাকৰ কাৰণে।"

আশ্ৰমথন ক'ত পাতিবলৈ ঠিক কৰিছা শিখা।—আমি যে সিদিনা চাবলৈ গেছিলো সেই ঠাইখনতে ভাল হবনে নহয়? কি মনোৰম দৃশ্য! চহৰৰ কৃত্ৰিমতাই তাক কলুষিত কৰিব পৰা নাই। নিজান ঠাই এডোখৰ, চাৰিউপিনে গছ গছনিৰে ভৰি আছে, ওচৰেদি এখন সৰু সৃতি বৈ গৈছে। কত ৰকমৰ ধুনীয়া চৰাই চিৰিকতিয়ে প্ৰকৃতিৰ সৌন্দৰ্য্য দুগুণে বঢ়াই তুলিছে। সিহঁতৰ সুললীত সঙ্গীতে আশ্ৰমখন মুখৰিত কৰি তুলিব। খুব সুন্দৰ হব নহয় শিখা। আমাৰ ঘৰ কোন বিনিতে হব। ঠিক সৃতিটিৰ ওচৰতে হলেই ভাল হব। তোমাৰ কি মত?

—এবা সেই গছ জোপাৰ আৰত আমি লুকাভাকু খেলিম, মোৰ বিচাৰি নাপাই যেতিয়া তোমাৰ খং উঠিব মই গছৰ আৰৰ পৰা চাই থাকিম।

—কি যে কোৱা তুমি শিখা, এতিয়াও তোমাৰ লৰালি ওছা নাই।

—তোমাক জোকাবলৈ যে খুব ভাল লাগে দেবী, থাক ৰাক এতিয়া এইবোৰ ধেমালি।

—কি কৰ খুজিছিলা তুমি? আশ্ৰমৰ শিক্ষয়িত্ৰী কোন কোন নিযুক্ত হব?

—গীতাদেবী, চেতনা দেবী, দিপীকা বৰুৱা সম্প্ৰতি এই কেইজনৰ ওপৰতেই শিকোৱাৰ ভাৰদিয়া হৈছে। গীতা দেবী আৰু চেতনা দেৱীয়ে বিধবা বিলাকৰ ভাৰ লব, তোমাৰ আৰু মোৰ ওপৰত সৰু সৰু লৰা ছোৱালী বিলাকৰ ভাৰ দিছে।

—সৰু লৰাছোৱালী বিলাকৰ ভাৰ তোমাৰ ওপৰত দিয়া দেখি নিশ্চয় খুব ভাল পাইছা নহয় শিখা।

—নিশ্চয় সিহঁতক মই বৰ ভাল পাওঁ,সিহঁতৰ প্ৰত্যেকেই ভগবানৰ একো একোটি পৱিত্ৰ প্ৰতিমূৰ্ত্তি, সিহঁতৰ মুখৰ সুন্দৰ হাঁহিটিয়ে ক্ষন্তেকৰ কাৰণে এই সংসাৰৰ সকলো শোক তাপ পাহৰাই দিয়ে।

শিখা—বিধিলাক ছাত্ৰ ছাত্ৰী আমাৰ আশ্ৰমত থাকিব নিইতৰ প্ৰত্যেকেই যাতে নিজৰ জীৱিকা নিজেই উপাৰ্জ্জন

কৰিবলৈ সক্ষম হয় তাৰ কাৰণে বিশেষ চকু ৰাখিব লাগিব। তাৰ কাৰণে এখন শিল্প বিভাগ খোলা অতি প্ৰয়োজনীয় হৈ উঠিছে আৰু তাৰ ভাৰ লবলৈ উপযুক্ত পাত্ৰী শ্ৰীমতী দীপিকা বৰুৱা আৰু শ্ৰীমতী পূৰ্ণিমা দেৱীয়েই হব, নহয় জানো।

—এবা তেওঁলোকৰ ওপৰতে সেই ভাৰ দিয়া হব বুলি আমিও ঠিক কৰিছো।

—মোৰ ইচ্ছা কি জানা দেৱী?—ডাঙৰ ডাঙৰ ছোৱালী বিলাকে কাপোৰ বৰ লাগিব আৰু সেই কাপোৰ বেচি নিজৰ দৈনন্দিন খৰচৰ বাট মুকলি কৰিব লাগিব। বৰ্ত্তমান তেওঁলোকক মাথোন সংস্কৃত আৰু শিল্প বিদ্যাৰ বিষয়েহে শিক্ষা দিয়া হব। আৰু সৰু সৰু লৰাছোৱালী বিলাকক বেতৰ কাম, বাগানৰ কাম আৰু লগে লগে অন্যান্য লিখা পঢ়াও শিকোৱা হব। বৰ্ত্তমান তাতকৈ সৰহ কাম আমি হাতত লব নোৱাৰোঁ, অহা মাহৰ ১৫ তাৰিখৰ পৰা আমাৰ আশ্ৰমত কাম আৰম্ভ হব।

* * * * * * *

বহুত দিনৰ পিছৰ কথা। আশ্ৰমৰ কিবা কামত শিখা সেইদিনা চহৰলৈ ওলাই গৈছে। সকলো কামৰ ভাৰ পৰিছিল সেইদিন দেবীৰ ওপৰত। কাম বন কৰি উঠি দেবীয়ে নিজান পঞ্জাটিত বহি শিখাৰ কাৰণে বাট চাই আছে। ইপিনে পচিম আকাশ ৰাঙলী কৰি শেষ সম্বল খিনিও যেন জগতক বিলাই দি সূর্য্যদেৱে দিনান্তত মেলানি মাগিছে। ভৰা ভাদৰ অবিশ্ৰান্ত বৰষুণে মৰা সুঁতিটিৰ বুকুতো বান তুলিছে। গছ লতাবোৰ সজীৱ হৈ উঠিছে। সঁচাকৈ প্ৰকৃতিৰ এই অপৰূপ সৌন্দৰ্য্যই জগতৰ বিচিত্ৰতাৰ কথা মনত পেলাই দিয়ে, মানুহে অনন্দৰ আবেগত নিজক হেৰুৱাই পেলায়।

কি সুন্দৰ সেই দৃশ্য। দেবীয়ে বহি বহি শিখাৰ উদ্দেশ্যে এটা কবিতা লিখিছে। পাছ ফালৰ পৰা যে শিখা আহি মনে মনে চাই আছিল দেবীয়ে গমকে পোৱা নাছিল।

"অঁ বুজিছোঁ—কাৰ বিৰহত তুমি এই কবিতা লিখিছা—দেবী? কোন সেই ভাগ্যবান্?"

দেবীয়ে লাজ পালে—গাল দুখনি বঙা হৈ উঠিল—পচিমীয়া আকাশৰ ৰঙালী আভাই তাক দুগুণে বঙা কৰি তুলিলে "ৰাক মই যদি কওঁ 'তোমাৰ বিৰহত,' বিশ্বাস কৰিবা জানো?"

"ওঁহো কেলৈ কৰিম? তুমি জানো মোক তিমান ভাল পোৱা যিমান মই তোমাক ভাল পাওঁ," তৎক্ষণাৎ দেবীৰ ৰঙা মুখখনি যেন এছটা ক'লা ডাৱৰে ঢাকি পেলালে। দুটোপা লোটক শিখাৰ হাতত পৰিল।

—ইকি দেবী কান্দিলা নেকি? ৫২৭৩/অ:

—নাজানা শিখা তোমাৰ সেই কথাষাৰিয়ে মোৰ অন্তৰত যেন এডাল বিষাদৰ কাড় মাৰি থৈ গ'ল। যেতিয়া ভাবোঁ তুমিও মোক ভুল বুজিলা, তেতিয়া আৰু একোৱেই মোক সান্ত্বনা দিব নোৱাৰে। জানাইতো মোৰ জীৱনটো কিছুমান দুখৰ সমষ্টি মাথোন, পানীৰ তলত ডুবিবলৈ দিয়া মানুহ এটাই যেনেকৈ খাঁহ এডালকে পৰম আশ্ৰয় বুলি ভাবি লয়, ময়ো ঠিক সেইদৰে মৰমময় জীৱনত তোমাকেই প্ৰধান আশ্ৰয় বুলি ভাবি লৈছিলোঁ। যি দিনা সেই কঠোৰ টান কথাবে লিখা চিঠি খনিৰ উত্তৰত তুমি উপহাৰ দিলা এটি ধুনীয়া ফুল, সেই দিনাই বুজিলোঁ তোমাৰ অন্তৰ কিমান মহৎ, সেইদিনাৰ পৰাই তোমাক নিজৰ বুলি আকোৱালি ধৰিলোঁ, সেইদিনাৰ পৰাই অন্তৰত তোমাৰ থাপনা পাতি প্ৰেম আৰু ভালপোৱাৰ অৰ্ঘ্যেৰে তাক পূজা কৰি আহিছোঁ।

—ধেমালি কৰিছিলো দেবী, সেই সামান্য কথা এটাই যদি তোমাক ইমান বেজাৰ দিব বুলি জানিলোঁহেতেন তেন্তে নিশ্চয় এনে ধেমালি নকৰিলোঁহেতেন। ক্ষমা কৰা দেবী!

শিখাৰ কথা শুনি দেবীয়ে নিজৰ দুখৰ কথা পাহৰি গ'ল। শিখাৰ গালত হাত খন দুবাই মিচিকিয়া হাঁহি এটি মাৰি দেবীয়ে কলে "তোমাক ক্ষমা কৰিম কি শিখা। তুমি যদি মাথোন বিশ্বাস কৰা এই অকণমানি অন্তঃকৰণ খনিবেও মই তোমাক কিমান ভাল পাব পাৰিছোঁ সেয়ে মোৰ যথেষ্ট হ'ব।"

এনেতে আশ্ৰমৰ ঘণ্টা বাজিল, তেওঁলোক দুয়ো উঠি গ'ল নিজৰ কামলৈ।

শিখা আৰু দেবীৰ অক্লান্ত পৰিশ্ৰমৰ ফলত আশ্ৰমখন লাহে লাহে উন্নতিৰ জখলাত দোপক দোপে উঠি আহিব ধৰিলে। এই দৰে বহুত কবিতা কল্পনা, সুখ-দুখৰ মাজেৰে তেওঁলোকৰ জীৱনৰ কিছুদিন গ'ল। কিন্তুদুৰ্ভাগ্য ক্ৰমে হঠাৎ শিখা এবাৰ টান নবিয়াত পবিল। কোনেও ভবা নাছিল এয়ে হ'ব শিখাৰ কৰ্ম্মময় জীৱনৰ অৱসান—।

বেমাৰৰ মাজতে শিখাই এদিন দেবীক ওচৰত বহৰাই সাৱটি ধৰি কৈছিল "দেবী, কোনোবাই যেন কৈ দিছে মই আৰু নাবাছিম। মইতো মবিমেই কাৰণ মানুহ মৰণশীল যেতিয়া এদিন নহয় এদিন মবিবই লাগিব। কিন্তু মোৰ এটা অনুবোধ তুমি বাখিবলৈ চেষ্টা কবিবা দেবী, আশ্ৰমখনৰ উন্নতিৰ কাৰণে যেন তুমি নিজক উছৰ্গা কবা। অন্তৰত কল্পনাৰ জাল বৈছিলো, ভাবিছিলো এই আশ্ৰমখনক এখন আদৰ্শ প্ৰতিষ্ঠান কবিম। কিন্তু—কিন্তু দেবী—"

দুগালেদি দুধাৰ তপত লো বৈ গ'ল—অলপ পৰ তেওঁ একো ক'ব নোৱাৰিলে। তাৰ পিছত নিজক সংযত কবি আকৌ কবলৈ ধবিলে—

"এবি যৈ যোৱা কাম বোৰ তুমি শেষ কবিবলৈ চেষ্টা কবিবা দেবী।"

ইমান পৰ যদিও দেবীয়ে নিজক সংযত কবি বাখিছিল শিখাৰ কথা শেষ হোৱাৰ লগে লগে তেওঁ বোধ কবিলে যেন গধূৰ শিল এটা তেওঁৰ বুকুত কোনোবাই তুলি দিলে—উচুপি উচুপি কান্দিবলৈ ধবিলে। কিন্তু ইমান দুখৰ মাজতো দেৱীয়ে নিজৰ কৰ্ত্তব্য পাহবা নাছিল। সকবে পৰা তেওঁ নিজৰ দায়িত্ব বুজিছিল আৰু সেই অবস্থা অনুসবি সকলো কাম তেওঁ সুকলমে সমাধা কবিব পাবিছিল। বহুত গুণৰ মাজত এইটোও যে তেওঁৰ এটা প্ৰধান গুণ আছিল কলে বঢ়ায় কোৱা নহব।

দেবীয়ে নিয়মমতে শিখাৰ শুশ্ৰূষা কবি যাবলৈ ধবিলে কিন্তু ভগবান তেওঁৰ প্ৰতি বিমুখ আছিল। লাহে লাহে শিখাৰ নাবিয়া টান হৈ আহিল, দেবীও হতাশ হৈ আহিব ধবিলে। এদিন মাজ নিশা অতি চেনেহৰ দেবীকো এবি থৈ শিখা চিবকাললৈ আতবি গ'ল।

মবিবৰ এদিন আগতে মাথোন দেবীক শিখাই কৈছিল—"দেবী—তোমাৰ ৰূপ আছিল, সেই দেখি মই মুগ্ধ হৈছিলো, গুণ আছিল সেই দেখি পূজা কবিছিলোঁ, ভাল পাইছিলোঁ সেই দেখি হৃদয়ৰ অতি চেনেহৰ ঠাই এডোখৰত তোমাৰ থাপনা পাতিছিলোঁ" আৰু কব নোৱাৰিলে, অৱশ হৈ পবিল।

সেয়েই শিখাৰ শেষ কথা—মবিবৰ আগ মুহূর্ত্তলৈকে শিখাৰ জ্ঞান আৰু নাহিল। দেবীয়ে নীবৰে কত চকুলো টুকিলে, ভগবানৰ চবণত কিমান প্ৰাৰ্থনা জনালে, কিন্তু সকলো মিছা হ'ল। নিয়তিৰ নিষ্ঠুৰ বিধান কোনেও খণ্ডাব নোৱাবে।

দেবীৰ অন্তৰ শুদা কবি শিখা চিবকালৰ কাৰণে গুছি গ'ল—এই দুর্ভগীয়া প্ৰাণীটিৰ নীবৰে টোকা চকুৰ লোৰে নিতৌ পৃথিবীৰ বুকু তিতাব ধবিলে, কিন্তু এই বিশাল পৃথিবীত কোনেও তাৰ খবৰ নাবাখিলে—কোনেও তাক জানিবলৈকো নিবিচাবিলে। তথাপি কিন্তু আজি জগত সেই দবেই চলিব ধবিছে—আকাশত সূর্য্য উঠিব ধবিছে—বতাহ ব'ব ধবিছে ফুল ফুলিব ধবিছে।

দেবীয়ে ভাবিলে—এই যে সুন্দৰ নীলা আকাশ, মৃদু বতাহ, চবাইৰ গীত এই সকলো সপোন—যদি বাস্তৱ বুলি কিবা আছে তেন্তে সেই সকলো মিছা—সকলো মায়া।

সংসাবত আমি সকলোৱেই একোটি প্ৰহেলিকা মাত্ৰ!

* * * *

বহুত দিনৰ পিছৰ কথা।

দেবীয়ে মনলৈ স্থিবতা আনিলে। নিজৰ কৰ্ত্তব্য আকৌ কবিবলৈ ধবিলে। কিন্তু শিখাৰ স্মৃতি দেবীৰ মনৰ পৰা কেতিয়াও দুমাব নোৱাবিলে।

শিখাৰ স্মৃতি স্তম্ভত দেবীয়ে নিতৌ একাঞ্জলী ফুল আৰু



'হাইব্রিড' অর্কিড

সুহৃদে অফ্ ইণ্ডিয়া প্রেস, কলিকতা

চাকি এটা গধূলি দি আহে। শিখাৰ নামেৰেই আশ্রম খনৰ নামো "শিখাশ্রম" বাখিলে।

যিবিলাক স্বামীৰ দ্বাৰা নির্য্যাতিতা তিৰোতা আৰু বাল-বিধবা বিলাকে এই "শিখাশ্রমত" শিক্ষা লাভ কৰিছিল তেওঁলোক আজি নিজে একোজন উপযুক্তা মহিলা হৈ জগতত আদর্শ স্থান লাভ কৰিছে। তেওঁলোকৰ ত্যাগ আৰু প্রেম, বীৰত্ব আৰু মহিমা, আত্মসম্মান জ্ঞান আৰু আত্মনিবেদনৰ কাহিনীয়ে 'শিখাশ্রমৰ' ইতিহাস অমৰ কৰি থৈ গৈছে।

কিন্তু তথাপি—তথাপি, আজি দেৱী বিক্তা।

কামৰূপৰ তীৰ্থ-বিবৰণ।

—বায়বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা

(৮)

হাজোৰ মণিকুট পর্ব্বতৰ পুবে দর্শণ পর্ব্বত। এই পর্ব্বতত যক্ষ বিলাকেৰে সৈতে কুবেৰ বাস কৰিছিল।

দর্শণ বা চেঁচা নৈ

ইয়াৰ মধ্যভাগত বৌ মাছৰ নিচিনা আকৃতিৰ বোহিত নামে এটি পর্ব্বত আছে; তাৰ স্পর্শত লো আদিয়ে স্বর্গতা প্রাপ্ত হয়। তাৰ অলপ দূৰত হিমালয়ৰ পৰা নৈ অহা দর্শণ নামে নদ আছে। এই নদে লৌহিত্যৰ নিচিনা ফল দান কৰে

"তস্ত স্নান সমুদ্ভূতঃ পাপদর্পঘ্ন পাটনঃ।
তেনায়ং দর্পণো নাম পুৰা দেৱৈঃ কৃতঃ॥"

—কালিকা পুৰাণ, ৭৯ আধ্যা।

দর্পণ নদৰ আধুনিক নাম চেঁচা নৈ।

দর্পণৰ পুবে অগ্নিমাল নামে পর্ব্বত আছে। তাৰ আকৃতি সাপৰ নিচিনা আৰু দীঘে পুতলে ওপই আৰু বিস্তৃতিতো তেনেকুৱা। সেই পর্ব্বতৰ অগ্নি

অগ্নিমাল পর্ব্বত

অলি থকা ঊর্দ্ধভাগত সেন্দুৰৰ নিচিনা বঙ্গা মনোহৰ দাৰুশিলাতলত অগ্নিদেৱতা অৱস্থান কৰে। সেই পর্ব্বতত অদ্যাপিও জুই ওলোৱা দেখা যায়। ভৈৰবৰ হিতার্থে আৰু কামাখ্যাৰ সেৱাৰ নিমিত্তে প্রথমৰ পৰাই অগ্নিদেৱে সদলবলে সেই স্থানত বাস কৰিছিল।

"লৌহিত্য পাথসি স্নাত্বা অগ্নিমালাহ্বয়ং গিৰিম্।
আৰুহ্য বহ্নিং সম্পূজ্য মোদতে বিষ্ণু মন্দিৰে॥"

—কালিকা পুৰাণ, ৭০ আধ্যা।

লৌহিত্যৰ জলত স্নান আৰু অগ্নিমাল পর্ব্বতত আৰোহন কৰি যি মানুহে অগ্নিদেৱতাৰ পূজা কৰে তেওঁ বিষ্ণু মন্দিৰত পৰমানন্দে থাকিব পাৰে।

অগ্নি বা অগ্নিমাল পর্ব্বতক আজিকালি আগীয়াঠুটী বোলা হয়। এই পর্ব্বতটো আমিনগাঁওৰ বেল ষ্টেশ্যনৰ পশ্চিমে। এই পর্ব্বতৰ সন্মুখত বৰুণ নামে এটি কুণ্ড

বৰুণ কুণ্ড

আছে, তাৰ পাৰত কংসকৰ নামে এটি শ্রেষ্ঠ পর্ব্বত আছে। তাত জলাধিপ বৰুণ দেৱতা বাস কৰে। বৰুণ কুণ্ডত স্নান কৰি সেই পর্ব্বতত বৰুণ দেৱক পূজিলে বৰুণ লোকলৈ গতি হয়। কংসকৰ পর্ব্বতৰ অপৰ নাম বৰুণাচল।

"বায়ুকূটো নাম গিৰিঃ পূর্ব্বস্যাং বৰুণাচলাৎ।
দ্বিখণ্ডো বায়ুবীজেন মণ্ডলেন সমন্বিত ঃ॥
ঊর্দ্ধাধোভাগমাসাদ্য নিত্যং বহতি ভূপতে॥
বায়ুকূট তত্র বায়ুং সমভ্যর্চ্চ্য বায়ু লোক মবাপ্নুয়াৎ॥"

—কালিকা পুৰাণ ৭৯ আধ্যা।

বৰুণাচলৰ পুব ফালে বায়ুকূট নামে পর্ব্বত আছে। সেই পর্ব্বত দুইখণ্ড বায়ুবীজাকাৰ মণ্ডলৰ দ্বাৰাই যুক্ত।

বায়ুলোকত চন্দ্র অৱস্থান কৰে ; সেই চন্দ্ৰৰ পৰা বায়ু নিসৃত হৈ উৰ্দ্ধ আৰু অধোভাগত সদায় বৈ থাকে। তাত বায়ু দেৱতাক পূজা কৰিলে বায়ুলোকলৈ গতি হয়।

অগ্নি, বায়ু আৰু সূৰ্য্য নামে তিনিজন মহৰ্ষিয়ে সুৰ জ্যেষ্ঠ ব্ৰহ্মাৰ আদেশ মতে যজ্ঞসিদ্ধিৰ নিমিত্তে বেদৰ মন্ত্ৰ বিলাক সঙ্কলন কৰিছিল। মনু সংহিতাত লিখা আছে,—

"অগ্নিবায়ুৰবিভ্যস্তু ত্ৰয়ং ব্ৰহ্ম সনাতনম"
দুদোহ যজ্ঞসিদ্ধাৰ্থং ঋগযজুঃ সাম লক্ষণম্ ॥"

অগ্নি ঋষিয়ে ঋগ্বেদ, বায়ু ঋষিয়ে যজুৰ্ব্বেদ আৰু সূৰ্য্য ঋষিয়ে সামবেদ সঙ্কলন কৰিছিল।

অগ্নিমাল পৰ্ব্বতত মহৰ্ষি অগ্নিদেৱ, বায়ুকূটত মহৰ্ষি বায়ুদেৱ আৰু শ্ৰীসূৰ্য্য পৰ্ব্বতত সূৰ্য্যদেৱৰ আশ্ৰম আছিল বুলি বোধ হয়।

"পূৰ্ব্বং বায়ুগিৰেঃ শৈলশ্চন্দ্ৰকূট ইতি স্মৃতঃ।
ত্ৰিকোণশ্চন্দ্ৰসঙ্কাশঃ তদূৰ্দ্ধে চন্দ্ৰমণ্ডলম্ ॥"

* * * *

চন্দ্ৰকূট সোম কুণ্ড

"তস্যৈব পূৰ্ব্বভাগেতু সোমকুণ্ডাহ্বয়ং সৰঃ।
তত্ৰ স্নাত্বা চ পীত্বা চ নৰঃ কৈবল্যমশ্নুতে ॥"
— কালিকা পুৰাণ, ৭৯ আধ্যা।

বায়ুকূট পৰ্ব্বতৰ পূবে চন্দ্ৰকূট নামে আৰু এটি পৰ্ব্বত আছে ; দেখিবলৈ ত্ৰিকোণ আৰু তামৰ নিচিনা ৰঙ্গা ; তাৰ উৰ্দ্ধত চন্দ্ৰমণ্ডল। চন্দ্ৰই আজিলৈকে এই পৰ্ব্বত প্ৰদক্ষিণ কৰি আছে। তাৰ পূবে সোমকুণ্ড নামে সৰোবৰ আছে তাত স্নান আৰু তাৰ জল পান কৰি মানুহে কৈবল্য লাভ কৰে।

বায়ুকূটৰ পূৰ্ব্বে চন্দ্ৰকূট ; চন্দ্ৰকূট আৰু অশ্বক্ৰান্তৰ মাজত গোদন্ত ; গোদন্তৰ দক্ষিণে অশ্বক্ৰান্ত ; চন্দ্ৰকূটত মাধৱ, গোদন্তত জটাধৰ আৰু অশ্বক্ৰান্তত জনাৰ্দ্দন আছে। সেই সেই দেৱতাৰ বীজ মন্ত্ৰেৰে মধু আৰু পায়স দি পূজা কৰিব লাগে। বায়ুকূটত বাস কৰিলে ধনী, চন্দ্ৰকূটত ক্ষয়ী, আৰু গোদন্তত পাপী হয়। অশ্বক্ৰান্তত বাস কৰিলে মুক্তি লাভ হয়। চন্দ্ৰকূটত প্ৰজাপতি সোমৰ ভৱন আছিল।

নন্দন গিৰি বা ইন্দ্ৰ শৈল

"তীৰে তু চন্দ্ৰকূটস্য নন্দনো নাম বৈ গিৰিং।
তস্মিন্ বসতি শক্ৰস্তু কামাখ্যাসেবনে ৰতঃ ॥"

* * * *

"চন্দ্ৰকুণ্ড জলে স্নাত্বা সমাৰুহ্যাম নন্দনম্।
আৰাধ্য শক্ৰং লোকেশং মহাফল মবাপ্নুয়াৎ ॥"
—কালিকা পুৰাণ ৭৯ অধ্যা।

"চন্দ্ৰ শৈলস্য পূৰ্ব্বেতু কিঞ্চিদাগ্নেয় গোচৰে।
লৌহিত্য মধ্যে দেবেশি, ধনুস্ত্ৰিংশৎ প্ৰমাণতঃ।
ইন্দ্ৰ শৈল ইতি খ্যাতস্তত্ৰ বামে মহাফলম্ ॥
ইন্দ্ৰ শৈলস্য মধ্যে তু কিঞ্চিদ্দক্ষিণ গোচৰে।
উত্তৰে চন্দ্ৰ শৈলস্য ত্যজেৎ ষোঢ়াঃ ধনুৰ্ব্বুধঃ।
ধনুস্ত্ৰয়ঞ্চ প্ৰস্তাৰে ধনুষঃ শতকং মতম্।
পঞ্চবিংশতি দৈৰ্ঘ্যেন চন্দ্ৰকুণ্ডাহ্বয়ং সৰঃ
তত্ৰ পীত্বা চ স্নাতা চ নৰঃ কবল্যমশ্নুতে ॥
—যোগিনী তন্ত্ৰ, উত্তৰ খণ্ড।

চন্দ্ৰ কূট বা চন্দ্ৰ শৈলৰ পূবে কিঞ্চিৎ অগ্নি কোণৰ ফালে লৌহিত্যৰ মাজত ত্ৰিশধনু পৰিমিত ইন্দ্ৰশৈল আছে। এই ইন্দ্ৰশৈলকে কালিকা পুৰাণে নন্দন গিৰি বুলিছে। এই পৰ্ব্বতত ইন্দ্ৰ বাস কৰিছিল। ২৫ ধনু দীঘল আৰু ৩ ধনু বহল চন্দ্ৰকুণ্ড বা সোমকুণ্ড নামে যি সৰোবৰ আছে, তাত স্নান কৰি ইন্দ্ৰশৈলত উঠি ইন্দ্ৰদেৱতাক আৰাধনা কৰিলে মহাফল পোৱা যায়। ইন্দ্ৰশৈলক আজি কালি আঁৰ পৰ্ব্বত বোলা হয়।

মানস তীৰ্থ

সোমকুণ্ড বা চন্দ্ৰতীৰ্থৰ দক্ষিণ ফালে চাৰি ধনু পৰিমিত মানস তীৰ্থ। কাতি মাহৰ শুক্ল পক্ষত তাত স্নান কৰিলে বিষ্ণুলোক প্ৰাপ্ত হয়।

মানসৰ দক্ষিণ ফালে ২৮ ধনু পৰিমিত অচ্যুত নামে সৰোবৰ, তাত স্নান কৰিলে অচ্যুত পদ লাভ হয়। তাৰ

ঋণ মোচনক সৰোবৰ

দক্ষিণে দহধনু পৰিমিত ঋণমোচনক সৰোবৰ। তালৈ গলে পিতৃঋণ, ঋষিঋণ আৰু দেৱঋণ, এই তিনি ঋণৰ পৰা মুক্তি পোৱা যায়। ভাদ মাহৰ ললিত সপ্তমীত আৰু মাঘমাহৰ চতুৰ্দ্দশীত তাত স্নান কৰিলে মুক্তিলাভ হয়।

অশ্বক্ৰান্ত সৰোবৰ

"দক্ষিণে অশ্বক্ৰান্তস্য কিঞ্চিদাগ্নেয় গোচৰে।
ধনুৰৰ্ক প্ৰমাণেন অশ্বক্ৰান্তাহ্বয়ং সৰঃ ॥
নাগলোকাদুত্থিত শ্চ কল্কিৰূপী জনাৰ্দ্দনঃ।
স্নাত্বা তত্ৰৈব বিৰজে অশ্বতীৰ্থং চকাৰহ ॥"
—যোগিনী তন্ত্ৰ, উত্তৰ খণ্ড।

অশ্বক্ৰান্তৰ দক্ষিণে কিঞ্চিৎ অগ্নিকোণৰ ফালে দ্বাদশ ধনু পৰিমিত অশ্বক্ৰান্ত নামে সৰোবৰ ; কল্কিৰূপী জনাৰ্দ্দনে নাগলোকৰ পৰা উঠি আহি তাত স্নান কৰি, তাক অশ্বতীৰ্থ কৰিছিল।

অশ্বতীৰ্থ

অশ্বতীৰ্থে মহেশানি নান্যাৎ পুন্যতমং ভুবি।
অশ্বতীৰ্থতকৈ পুণ্যতম তীৰ্থ ভূতলত আৰু নাই।
"চন্দ্ৰ শৈলং স্পৃশা ধাৰা জাহ্নবী সা প্ৰকীৰ্ত্তিতা।
অশ্বতীৰ্থ স্পৃশা ধাৰা যমুনেত্যভিধীয়তে"
ইন্দ্ৰশৈল স্পৃশা ধাৰা সা বিজ্ঞেয়া স্বৰস্বতী ॥
অশ্বক্ৰান্তে সঙ্গমস্তু বৰ্ষাসু চ প্ৰদৃশ্যতে।
প্ৰয়ান্তং তদ্বিজানীয়াৎ কাৰ্ত্তিকেষু বিশেষতঃ॥
যস্তত্ৰ মুণ্ডনং কুৰ্য্যাৎ প্ৰয়াগে মুণ্ডনং ফলম্।"
—যোগিনী তন্ত্ৰ, উত্তৰ খণ্ড।

যি ধাৰ পানীয়ে চন্দ্ৰশৈলক স্পৰ্শ কৰিছে সেই ধাৰ যমুনা আৰু যি ধাৰে ইন্দ্ৰ শৈলক স্পৰ্শ কৰিছে, সেই ধাৰ স্বৰস্বতী বুলি জানিবা। বাৰিষা কালত বিশেষতঃ কাতি মাহত অশ্বক্ৰান্তত তিনিও ধাৰ পানীৰ সঙ্গম দেখা যায় ; সেই সঙ্গমক প্ৰয়ান্ত বোলে। যি মানুহে তাত মুণ্ডন কৰে, সি প্ৰয়াগত মুণ্ডন কৰাৰ সমান ফল পায়।

অশ্বতীৰ্থ আৰু অশ্বক্ৰান্তৰ মাহাত্ম্যৰ কথা যোগিনী তন্ত্ৰৰ দ্বিতীয় ভাগত ৩।৪ পটলত বাহুল্যকৈ লিখা আছে। তাৰ পৰা কিছু কথা তলত তুলি দিয়া হ'ল। ভগবান শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি অশ্বক্ৰান্তত জিৰাইছিল।

অশ্বক্ৰান্ত

"শৃণু দেবি প্ৰবক্ষামি গুহ্যদ্ গুহ্যমনুত্তমম্।
সৰ্ব্বতীৰ্থেষু বিখ্যাতমশ্বক্ৰান্তমতঃ পৰম্ ॥
যস্যোত্তৰে তু যৎক্ষেত্ৰং ময়া যুক্তং বিযুক্তকম।
এতদেব পৰং জ্ঞানমেতদেব পৰন্তপঃ।
এতদেব পৰং ব্ৰহ্ম এতদেব পৰং পদম
তথা নাৰায়ণঃ শ্ৰেষ্ঠা দেৱানাং পুৰুষোত্তমঃ।
তথেশ্বৰাণাং গিৰিশ স্থানানামেতদুত্তমম্ ॥
দত্তং জপ্তঃ হুতং শেষ তপস্তত্ৰ কৃতঞ্চ যৎ।
ধ্যানমধ্যয়নং জ্ঞানং সৰ্ব্বং ভবতি চাক্ষয়ম্ ॥
অশ্বক্ৰান্তে পৰা যোগ অশ্বক্ৰান্তে পৰা গতিঃ।
অশ্বক্ৰান্তে পৰা মোক্ষঃ তীৰ্থং নৈবাস্তি তাদৃশং ॥
মেৰুমন্দৰ তুল্যোহপি ৰাশিঃ পাপস্য সৰ্ব্বশঃ!
অশ্বক্ৰান্তেং সমাসাদ্য সৰ্ব্বোব্ৰজতি সংক্ষয়ং ॥
অশ্বক্ৰান্তেস্থিতাঃ স্পৃষ্টাঃ পাংশুভিৰ্ব্বায় সেবিতাঃ
যদি দুষ্কৃত কৰ্ম্মাণাং যাস্যন্তি পৰমাং গতিম্ ॥
ন সা গতিঃ কুৰুক্ষেত্ৰ গয়াদ্বাৰে চ পুষ্কৰে।
যা গতিৰ্ব্বিহিতা পুংসা অশ্বক্ৰান্তনিবাসিনান্ ॥
ন দানৈৰ্ণ তপোভিঃ ন যজ্ঞৈনাপি ছ বিদ্যায়া।
প্ৰাপ্যতে গতিৰুৎকৃষ্টা অশ্বতীৰ্থে স লভ্যতে ॥

* * * *

প্ৰয়াগে মাঘমাসেতু সম্যক স্নানেন যৎ ফলম্।
তৎফলং কোটিগুণেতং অশ্বতীৰ্থে ক্ষণে ক্ষণে ॥

* * * * *

অশ্বক্ৰান্তৰ নামনিত ব্ৰহ্মপুত্ৰৰ দাঁতিত কৰ্ম্মৰূপী বিষ্ণুৰ মন্দিৰ আৰু ওপৰত অনন্ত শয্যাশায়ী বিষ্ণুৰ মন্দিৰ আছে।

ঋণমোচনক তীৰ্থৰ চাৰিও ফালে পঞ্চক তীৰ্থ আছে আৰু তাৰ সকলো ফালে ব্ৰহ্মসদন। এই পঞ্চক তীৰ্থত এবাৰ স্নান কৰিলে, জনমৰ পৰা মৰণ লৈকে যিমান পাপ সঞ্চিৎ হৈছে, সেই সকলো বিলাক ভস্ম হৈ যায় বুলি যোগিনী তন্ত্ৰত লিখা আছে।

অশ্বতীৰ্থৰ ওচৰত কিঞ্চিৎ পশ্চিম ফালে আঠ ধনু পৰিমিত সিদ্ধিকুণ্ড আছে। তাত স্নান আৰু জল পান

সিদ্ধিকুণ্ড ব্ৰহ্মসৰঃ

কৰিলে সকলো প্ৰকাৰ পাতকৰ পৰা মুক্ত হয়। তীৰ্থৰ পশ্চিমে কিঞ্চিৎ বায়ু কোণত ৬৪ ধনু পৰিমিত ব্ৰহ্মসৰঃ নামে তীৰ্থ আছে। তাত স্নান কৰি সভক্তিৰে যথাবিধি পিতৃসকলৰ তৰ্পণ কৰিলে তেওলোকৰ সদ্গতি লাভ হয়। ইন্দ্ৰকূটৰ উত্তৰে ৮০ ধনু পৰিমিত ৰামক্ষেত্ৰ ; তাৰ পাৰত ৰামকুণ্ড।

ৰামকুণ্ডৰ পৰা ৯ ধনু অন্তৰত সীতাতীৰ্থ। তাৰ দক্ষিণে বিজয় তীৰ্থ। তাৰ ওচৰতে যোগীতীৰ্থ আৰু মুক্তিতীৰ্থ আছে। তাৰ পৰা দক্ষিণ মুখে ইন্দ্ৰকূটলৈ গৈ মনীশ্বৰ বা মণিনাথক দৰ্শন কৰিব লাগে। তাত লোমশ তীৰ্থ আৰু নাগতীৰ্থ নামে কুণ্ড আছে।

চন্দ্ৰশৈলৰ উত্তৰত ৬৪ হাত পৰিমিত গয়াক্ষেত্ৰ; তাৰ জলক গয়াকুণ্ড আৰু তীৰক গয়াক্ষেত্ৰ বোলে। ব্ৰহ্মযোনিৰ পৰা পূবে লৌহিত্য পৰ্য্যন্ত গয়াক্ষেত্ৰ। তাত পিণ্ডদান কৰিলে মানুহৰ আৰু পুনৰ্জ্জন্ম নহয়।

ইন্দ্ৰশৈলৰ দক্ষিণে সূৰ্য্য তীৰ্থ নামে কুণ্ড আছে। তাত স্নান কৰি সূৰ্য্যদেৱক পূজা কৰিব লাগে

মণিকৰ্ণিকা

চন্দ্ৰকূট বা সোমশৈলৰ ঈশান কোণত মনি শৈল। তাৰ দক্ষিণ ফালে ৫ ধনু অন্তৰত মণিকৰ্ণিকাৰ কুণ্ড, এই কুণ্ডৰ পৰিমাণ ২২ ধনু।

"ক্ৰোশত্ৰয়মিদং ক্ষেত্ৰং মণিপীঠং সুৰাৰ্চ্চিতে।

মণিপীঠ

সুৰসকলৰ পূজিত মণিপীঠ ক্ষেত্ৰৰ পৰিমাণ তিনি ক্ৰোশ। ইয়াৰ পূবে মঙ্গলা নদী (বৰ নদী) পশ্চিমে হয়গ্ৰীৱ মাধৱ; দক্ষিণে কামেসী (কামাখ্যা) আৰু উত্তৰে উত্তৰাসমুদ্ভূত কমল লিঙ্গ। এই মণিপীঠত কলিযুগত ৩০০ শিৱলিঙ্গ আছে। "কালিকা পুৰাণৰ" ৭৯ অধ্যাত লিখা আছে,—

মণিকৰ্ণ বা মণিকৰ্ণেশ্বৰ

"ভস্মকূট বা উমানন্দ পৰ্ব্বতৰ ঈশাণ কোণত মণিকৰ্ণ নামে পৰ্ব্বতত মণিকৰ্ণ নামে এটি শিৱলিঙ্গ আছে; সেই শিৱলিঙ্গ সদ্যোজাতৰেই প্ৰতিমূৰ্ত্তি; সদ্যোজাতৰ মন্ত্ৰেৰে তেওঁক পূজা কৰিব লাগে। চন্দ্ৰতীৰ্থ বা সোমকুণ্ডৰ জলত স্নান, বাসবৰ লগত চন্দ্ৰৰ স্পৰ্শ, মণিকৰ্ণেশ্বৰৰ দৰ্শন আৰু ভস্মাচল বা উমানন্দলৈ গমন কৰিলে মুক্তিলাভ হয়।"

সুমঙ্গলা ব, মঙ্গলা নদী

"হিমালয় পৰ্ব্বতৰ পৰা ওলোৱা সুমঙ্গলা (বৰনদী) নামে শোভনা নদী মণিকুট মণিকৰ্ণৰ পূব ফালে সদায় বৈ আছে। যি মানুহে মণিকূটত আৰোহণ কৰি সেই নদীক দৰ্শন কৰে তেওঁ গঙ্গাস্নানৰ ফল পাই স্বৰ্গলৈ গাত কৰে!" এই নদীক আজিকালি বৰ নদী বোলে। এই খনেই ব্ৰহ্ম পুৰাণত লিখা কোকা নদী হব পায়।

বায়ব্যে মণিশৈলস্য বৰাহো নাম পৰ্ব্বতঃ।
তস্য পূৰ্ব্ব দক্ষিণে চ নৰনাৰায়ণঃ সৰঃ
তত্ৰ স্নাত্বা পীত্বা চ বিষ্ণুলোকে মহীয়তে॥
—যোগিনী তন্ত্ৰ।

মণিশৈলৰ বায়ু কোণত বৰাহ পৰ্ব্বত। তাৰ পূব-দক্ষিণে নৰনাৰায়ণ সৰোবৰ। তাত স্নান আৰু তাৰ জল পান কৰিলে বিষ্ণুলোকলৈ গতি হয়। সেই

নৰনাৰায়ণ সৰোবৰ

সৰোবৰৰ পশ্চিম পাৰত সোমেশ্বৰ নামে শিৱ লিঙ্গ। তাৰ বায়ুকোণত ৮ ধনু দূৰত বৈনায়ক তীৰ্থ। তাৰ বায়ু কোণত দ্বাদশ ধনু পৰিমিত বিন্দু সৰোবৰ নামে পাতক নাশন পুণ্যতীৰ্থ আছে।

নাটকাচল বা নটুৱাই নচা পৰ্ব্বতৰ পূবে মাতঙ্গ নামে পৰ্ব্বতত মাতঙ্গ ঋষিৰ আশ্ৰম আছিল। ইয়াৰ পৰা হয়গ্ৰীৱ মাধৱ থকা মণিকূট পৰ্য্যন্ত স্থান শিৱৰ অন্তগৃহ। যি মানুহে এই অন্তগৃহত প্ৰাণ ত্যাগ কৰে তেওঁ অক্ষয় ব্ৰহ্ম সনাতন পদ পায়। যি মণিশৈলত অৱস্থান কৰে তেওঁৰ আৰু পুনৰ্জন্ম নহয়।

ভস্মাচল বা উমানন্দ

নন্দন বা ইন্দ্ৰশৈলৰ পূবফালে লৌহিত্যৰ মাজত ভস্মাচল বা উমানন্দ পৰ্ব্বত। তালৈ গলে মানুহে উত্তম শান্তিলাভ কৰে। পূব মুখে ভস্মকূটত আৰোহন কৰিব লাগে। যদি কোনোৱে পশ্চিম মুখেদি আৰোহন কৰে, তেন্তে তেওঁৰ সকলো পুণ্য ততালিকে নষ্ট হয়! পূবলৈ মুখ কৰি উঠি তলত লিখা মন্ত্ৰেৰে উমানন্দ শিৱক পূজা কৰিব লাগে :—

"বৃষাচল নমস্তেঽস্তু ধৰ্ম্মমাৰ্গ ত্ৰিপিষ্টপে।
আৰোহয়ামি শিখৰং ভস্মকূট নমোঽস্তুতে॥"

পূজাৰ বিধি "যোগিনীতন্ত্ৰত" বাহুল্যকৈ লিখা আছে।

শ্ৰীযুত ৰোহিতাশ্ব দত্তই লিখা "উমানন্দ" নামে এটি কবিতা গুৱাহাটীৰ পৰা ওলোৱা "জোনাকী" কাকতত ১৮২৪ শকৰ ছপা হৈছিল। সেই কবিতাটি তলত তুলি দিলোঁ।

"মুকলি পদুম-চকা পাতৰ থোৰত,
উমানন্দ,—জয়ধ্বজা প্ৰাগজ্যোতিষৰ—
প্ৰকাশিছে চোৱা ব্ৰহ্মনদৰ গৰ্ভত,
দুপিনে দুধাৰি বোৱা ৰূপালী সোঁতৰ।
উটি অহা ঢউবোৰ সোঁতৰ লগত,
শিলত থেকেচা খাই কোবেৰে উলটি,
তিৰ্‌বিৰ্‌ কৰি আহি দীঘল হাতেৰে,
লৰ মাৰি গুচি যায় সোঁতকে সাৱটি।
কপালত বগা ফোঁট, গছ আৱৰণ,
মূৰৰ কিৰিটি যাৰ বতাহে কোবায়,
কঁকালৰ কৰধনি শিলৰ ৰেখাৰে,
বৰনৈয়ে যাৰ পাৱ সেৱা কৰি যায়।
একে থিৰে আছা চাই কামাখ্যাৰ পিনে,
দুপিনে দুশাৰী ওখ শিলৰ পৰ্ব্বত,—
নাচিছে খোপাত পিন্ধি প্ৰকৃতিৰ ফুল,
সকলোৱে বেৰি যেন তোমাকে মাজত।"

ভস্মাচল বা উমানন্দৰ দক্ষিণে উৰ্ব্বশী নামে বিখ্যাত ইন্দ্ৰৰ প্ৰীতিদায়িনী অমৃতধাৰিণীদেৱী আছে। উৰ্ব্বশীয়ে লগত অনা অমৃতৰ কিছু কিছু অংশ দিনৌ কামাখ্যাৰ যোনিমণ্ডলত অৰ্পণ কৰে। উৰ্ব্বশী সুধা শিলাৰ ভিতৰত উৰ্ব্বশী কুণ্ডত বাস কৰে। সেই কুণ্ড ৩২ ধনু বহল আৰু ৫০ ধনু দীঘল। তাত স্নান আৰু তাৰ জল পান কৰি মানুহে মোক্ষলাভ কৰে।

"পৃথিব্যাং যানি তীৰ্থানি আসমুদ্ৰ সৰাংসি চ।
উৰ্ব্বশ্যাস্তানি সৰ্ব্বানি পাপং হৰ নমোঽস্তুতে॥"

এই মন্ত্ৰ মাতি উত্তৰ ফালে মুখ কৰি বিধিমতে উৰ্ব্বশী কুণ্ডত স্নান কৰিব লাগে।

উৰ্ব্বশীৰ পূবে দ্বাদশ ধনু পৰিমিত কামাখ্যা নামে সৰোবৰ। কামাখ্যা সৰোবৰত ত্ৰয়োদশীত স্নান কৰিলে সকলো কামনা পূৰ্ণ হয়। চ'ত আৰু মাঘ মাহৰ সপ্তমীত ৰবিবাৰে সূৰ্য্যতীৰ্থত স্নান কৰি সূৰ্য্যদেৱক পূজিলে সূৰ্য্যলোকলৈ গতি হয়। সূৰ্য্যপূজাত সকলো ফুলতকৈ

সূৰ্য্যতীৰ্থ

ৰঙ্গা কৰবীৰ ফুল শ্ৰেষ্ঠ। সেই ফুল নাপালে কৰবীৰৰ পাতেৰেও পূজা কৰিব পাৰে।

"সম্বৎসৰস্য মধ্যে তু বাৰৈকং সপ্তমীব্ৰতম্।
সূৰ্য্যতীৰ্থে সকৃৎ কৃত্বা পুনাতি সপ্তমং কুলম্॥
—যোগিনী তন্ত্ৰ।

সূৰ্য্যতীৰ্থৰ ওচৰত মন্দৰৰ দক্ষিণ ফালে গঙ্গাসৰঃ। ৰবিসংক্ৰমণত আৰু গ্ৰহণৰ কালত তাত স্নান কৰি দেৱ পিতৃসকলৰ তৰ্পণ কৰিলে ব্ৰহ্মলোক প্ৰাপ্ত হয়। তাৰ দক্ষিণ ফালে আঠ ধনু পৰিমিত অগস্ত্য নামে পৰম তীৰ্থ।

অগস্ত্য তীৰ্থ

"অগস্ত্যং পৰমং তীৰ্থং মৃতানাং ভুক্তিমুক্তিদম্।
যো গত্বা মজ্জয়েন্মৃত্যুঃ সৰ্ব্বজ্ঞতমবাপ্নুয়াৎ॥
স্বয়ং দেবো মহাদেবো বিষ্ণুস্তত্ৰ চ সংস্থিতঃ।
কামাখ্যায়াশ্চ ক্ৰীড়াৰ্থং আগস্ত্যং কুণ্ডমুত্তমম্॥
সৰ্ব্ব পাপহৰং শুদ্ধং বিষ্ণুব্ৰহ্মাদিভিৰ্যুতম্।
দেবদানৱবিদ্যাধৰবন্দিতং সৰ্ব্বকামদম্॥
নানাৰত্নাদিভিশ্চনং সোপানং সুমনোহৰম্।
শল্যেন উৎপাদিতং কুণ্ডং মহাদেব্যাঃ চতুষ্টয়ম্॥
মাঘে চ কাৰ্ত্তিকে চৈব শুক্লপক্ষে বৰাননে।
দশম্যাং স্নান মাত্ৰেন পুষ্কৰস্য ফলং লভেৎ"
যথা বাৰানসী পুণ্যা তথা পুণ্যা নসংশয়ঃ।
গুহ্য তীৰ্থং পৰং দেবি নাত্ৰ কাৰ্য্য বিচাৰণা॥

* * * * *

অগস্ত্য তীৰ্থৰ অগ্নিকোণৰ কিঞ্চিৎ পশ্চিম ফালে বাসব নামে তীৰ্থ। পৰম তীৰ্থ বাসবত স্নান আৰু শক্ৰ-

দশাশ্বমেধ

বীজেদি বাসবৰ পূজা কৰিব লাগে। তাৰ পশ্চিমে অলপ দূৰত ৰম্ভা তীৰ্থ। তাৰ পশ্চিমে ৰুক্মিণী কুণ্ড। তাৰ বায়ুকোণত পিতৃতীৰ্থ, তাৰ ওচৰত দশাশ্বক্ষেত্ৰ। এই দশাশ্বমেধ ক্ষেত্ৰত যাৰ নামে পিণ্ড দিয়া হয় তেওঁ অস্বৰ্গস্থ থাকিলে স্বৰ্গস্থ আৰু স্বৰ্গস্থ থাকিলে মোক্ষপাপ্ত হয়। সূৰ্য্য কুণ্ডৰ বায়ুকোণত গদাধৰদেৱ অৱস্থান কৰিছে। তেওঁক প্ৰণাম কৰি পিণ্ডদান কৰিব।

গায়ত্ৰী

"উৰ্ব্বশ্যাঃ দক্ষিণে তাৰে যা শীলা তুঙ্গন প্ৰভা।
সা বিজ্ঞেয়া চ গায়ত্ৰী পূজয়েৎ গন্ধচন্দনৈঃ॥
গায়ত্ৰী প্ৰাতৰুত্থায় উপগম্য তু নামশঃ।
সন্ধ্যাং কৃত্বা প্ৰযত্নেন সৰ্ব্ববেদ ফলং লভেৎ॥
—যোগিনী তন্ত্ৰ।

ভস্মাচল স্পর্শ কৰি যি ধাৰ পানী উৰ্ব্বশী আৰু ভস্মাচলৰ মাজেদি বৈ আছে তাকে সৰস্বতী বুলি ভাবিব। তালৈ গলে অগ্নিষ্টোমৰ ফল লাভ হয়। "বিষ্ণোৰ্ব্বক্ষঃস্থিতে ভদ্রে মকৰন্দ প্রিয়ে শুভে। জন্মজন্মার্জ্জিতং পাপং হৰ মে পৰমেশ্বৰী" এই মন্ত্র মাতি তাত স্নান কৰিব লাগে। ভস্মাচলৰ অগ্নিকোণত আঠ ধনু পৰিমিত পিশাচমোচন নামে তীর্থ। তাত স্নান কৰিলে ব্রহ্মহত্যা পাপ বিনষ্ট হয়। তাৰ উত্তৰে পাঁচধনু পৰিমিত কপিলা তীর্থ। তাতে স্নান কৰিলে ভৱবন্ধনৰ পৰা মুক্ত হয়।

পিশাচমোচন

মন্দৰৰ ঈশান কোণত ষোল ধনু পৰিমিত সৰ্ব্ব পাপ প্রণাশন চক্রতীর্থ। ইয়াত স্নান কৰিলে গ্রহদোষজনিত সকলো পাতক বিনষ্ট হয়!

যি শৈলই চক্রতীর্থ স্পর্শ কৰিছে তাৰ নাম মন্দৰ পৰ্ব্বত। তাৰ পৰিমাণ বাষষ্টি ধনু। তাৰ পশ্চিমে দেবেশ্বৰ জনার্দ্দন আছে। তেওঁ কলিত বুদ্ধৰূপী। তেওঁক দর্শন কৰিলে মহাঘোৰ সুদাৰুণ পাপৰ পৰা মুক্ত হোৱা যায়। মন্দৰ বা উৰ্ব্বশী শৈলৰ প্রকাণ্ড শিলৰ ওপৰত যি চক্র অঁকা আছে সেয়ে চক্রবর্ত্তী। চক্রটোক সৌৰ জগতৰ প্রতিকৃতি বুলিব পাৰি।

চক্রতীর্থ মন্দৰগিৰি

উৰ্ব্বশী শৈলৰ ঠায়ে ঠায়ে শিলালিপি থকা দেখা যায়। তাতে বিষ্ণুৰ দশাৱতাৰ শিলত কটা আছে। মণিকুট পৰ্ব্বতৰ পূৱে মৎস্যধ্বজ নামে এটি কুল পৰ্ব্বত আছে; তাক দ্বিতীয় মদনাচল বুলিও কয়। যি ঠাইত কামদেৱে মহাদেৱৰ নেত্রাগ্নিৰ দ্বাৰা দগ্ধ হৈ তপস্যাৰ দ্বাৰা বৃষধ্বজৰ আৰাধনা কৰি পুনৰায় পূৰ্ব্বৰ শৰীৰ পাইছিল, তাতে মৎস্যৰূপধাৰী বিষ্ণুৱে পৃথিবীলৈ চাই অৱস্থান কৰিছে। তাতে শাশ্বতী নামে নদী আৰু কাম সৰোবৰ আছে। শাশ্বতীৰ জলত স্নান আৰু কাম সৰোবৰৰ জল পান কৰিলে সকলো কামৰ পৰা বিমুক্ত হৈ শিৱলোকত থাকিব পাৰি। কাম সৰোবৰক মদন-কুণ্ড বুলিও কয়। তাৰ পৰা মদন-কুঁৰ নামে নৈ বৈ আহিছে। এই নৈখনকে কালিকাপুৰাণে শাশ্বতী বুলিছে। এই তীর্থ কামৰূপ জিলাৰ মদাৰতলা মৌজাত। উক্ত মৌজাৰ ভিতৰতে দেৱ-দুৱাৰ পৰ্ব্বতত গোপেশ্বৰ শিৱৰ দেৱালয় আছে। মৎস্যধ্বজ দ্বিতীয় মদনাচলাৰ উত্তৰ-পূবে পাতি—দৰং মৌজাৰ হস্তাচলত পিঙ্গলেশ্বৰ শিৱৰ দেৱালয় আছে। পিঙ্গলেশ্বৰৰ উত্তৰে দ্বিতীয় দেও-বাহৰ গুৰি দেৱালয়! পিঙ্গলেশ্বৰৰ বায়ু দিশত কুৰ্ম্মমাধৱৰ দেৱালয়। ব্রহ্মদাৰু দেৱতাৰ পশ্চিম দিশে দর্পণ নামে পুণ্য নদ। এতিয়া নেই নদক চেঁচা বোলে।

মৎস্যধ্বজপৰ্ব্বত কামদেৱৰস্থান

পিঙ্গলেশ্বৰ

কুৰ্ম্মমাধৱ

কুৰ্ম্ম-মাধৱৰ পশ্চিমে দীপ্তেশ্বৰী ভগৱতীৰ পীঠ। সেই পীঠৰ কুণ্ডত সদায় পানী থাকে। দীৰ্ঘেশ্বৰী দেৱীৰ দেৱালয় উত্তৰ গুৱাহাটীত আছে।

দীপ্তেশ্বৰী

গন্ধমাদনৰ পূবে কাম নামে এটি পৰ্ব্বত আছে; তাৰ দাঁতিত ইন্দ্ৰৰ কুণ্ড; তাৰ নাম বাসবামৃত-ভোজন। পূৰ্ব্বে শচীপতি ইন্দ্ৰই কামৰূপত জল পান কৰি শৰীৰৰ ভাগৰ গুচাইছিল। সেই বাসবকুণ্ডত স্নান আৰু সুকান্তক পৰ্ব্বতত আৰোহণ কৰিলে বাসবৰ প্রিয় হৈ ইন্দ্ৰলোকলৈ যাব পাৰি।

বাসবামৃত-ভোজন

সুকান্তৰ পূব ফালে ৰক্ষকূট নামে পৰ্ব্বত। তাত ৰাক্ষসেশ্বৰ নিঋতি বাস কৰে। যি মানুহে ৰক্ষঃকূটত উঠি ৰাক্ষসেশ্বৰ নিঋতি আৰু ৰাক্ষসেশ্বৰী চণ্ডিকাক পূজা কৰে, তেওঁ আৰু ৰাক্ষসৰ পৰা কেতিয়াও ভয় খাব নালাগে। এই পৰ্ব্বটোৰ বৰ্ত্তমান নাম ৰাক্ষসিনী। ইয়াৰ পূব ফালে পাণ্ডুনাথ নামে মাধৱ আছে; তেওঁৰ ৰূপ অতি ভয়ঙ্কৰ।

ৰক্ষঃকূট বা ৰাক্ষসিনী পৰ্ব্বত।

সেই পাণ্ডুনাথ দেৱতাক আৰু পাণ্ডুনাথ পৰ্ব্বতক অষ্টাক্ষৰ মন্ত্ৰৰ দ্বাৰাই পূজা কৰিব লাগে। পাণ্ডুনাথ চতুৰ্ভুজ, শঙ্খ, চক্র গদা পদ্ম ধাৰী; তেওঁৰ আসন ৰক্তপদ্ম, মূৰত মুকুট, কাণত কুণ্ডল, আৰু বুকুত শ্রীবৎস। তেওঁক "ওঁ নমো নাৰায়ণায় ওঁ" এই মূলমন্ত্র উচ্চাৰণ কৰি পূজা কৰিলে চতুৰ্বৰ্গ সিদ্ধি হয়।

পাণ্ডুনাথ

পাণ্ডুনাথৰ উত্তৰে ব্রহ্মকুণ্ড নামে সৰোবৰ,

ব্রহ্মকুণ্ড

"পাণ্ডুনাথস্য উত্তৰে ব্রহ্মকুণ্ডাহ্বয়ং সৰঃ।
ব্রহ্মণা নির্ম্মিতং পূৰ্ব্বং স্নানার্থং স্বর্গ বাসিনাম্।

আয়ামেন শতব্যামং বিস্তীর্ণং ত্বেতদৰ্দ্ধকম্।
সৰ্ব্বপাপহৰং পুণ্যং দেৱলোকাৎ সমাগতম্॥
কমণ্ডলুসমুদ্ভূত ব্রহ্মকুণ্ডা মৃতস্রৱ।
হৰমে সৰ্ব্বপাপানি পুণ্য স্বর্গঞ্চ সাধয়॥
ইত্যনেন তু মন্ত্রেণ স্নাত্বা তস্মিন সৰোবৰে।
পাণ্ডুনাথঞ্চ সম্পূজ্য বিষ্ণু সামুখ্যমবাপ্নুয়াৎ॥
—কালিকা পুৰাণ, ৭৯ আধ্যা।

এই পাণ্ডুনাথ পৰ্ব্বততে পুৰাণৰ মতে মধু-কৈটভৰ নিধন হৈছিল।

পাণ্ডুনাথৰ পূবে চিত্রবহ পৰ্ব্বত; তাত বিষ্ণুৱে বৰাহৰূপ ধৰি সদায় বাস কৰে। ইয়াৰ পূবে কামাখ্যা দেৱীৰ আবাস,—নীলকূট বা নীলাচল পৰ্ব্বত তাৰ পূৰ্ব্বে ব্রহ্মাৰ আবাস,—ব্রহ্মগিৰি বা ব্রহ্মশৈল। তাৰ পূৰ্ব্বে সমানমাটিৰ ওপৰত শুভাবৰ্ত্ত, মনোহৰ আৰু কামাখ্যাৰ নাভিমণ্ডল আছে; তাতে পৰমেশ্বৰীয়ে উগ্রতাৰাৰূপে বাস কৰে। ব্রহ্মগিৰিত ভুবনেশ্বৰী দেৱীৰ মন্দিৰ আছে। গুৱাহাটী নগৰৰ পূবে চিত্রাচলত নৱগ্রহ দেৱালয় আছে। অতীতত এই নৱগ্রহ দেৱালয়তে প্রাগ্‌জ্যোতিষপুৰৰ মান-মন্দিৰ আছিল। এই তীর্থ-বিবৰণ লিখি থাকোঁতে সুকবি ৺গোপালচন্দ্র ভূঞাৰ "জন্মভূমি" নামে মন-মোহা কবিতাটিলৈ মনত পৰিল। কবিতাটি তলত তুলি দিলোঁ:—

চিত্রবহ পৰ্ব্বত

নৱগ্রহ

নাৰী-কাননৰ পাৰিজাত ফুল
ৰুক্মিণী ফুলিল য'ত।
মদনমঞ্জৰী সখী লীলাবতী
লিগিৰী যাৰ লগত।
এই অসমতে বানৰ তনয়া
লাহ্‌লৈ মেলালে চুলি॥
সখী চিত্রলেখা মাধৱৰ নাতি
আনিলে ৰথত তুলি।
ৰাণী জয়মতী তোমাৰে জীয়াৰী
সতীৰ আদর্শ হই,
পাহৰা গৌৰৱ আজিও তোমাক
দিছে নে মনত কই?
ভাৰত ভৰমি বশিষ্ঠ মুনিয়ে
আশ্রম ললেহি য'ত।
প্রকৃতিয়ে মোহ এৰাব নোৱাৰি
উথলিছে যি দেশত।
বিশ্বকৰমাই তোমাক পোনতে
ধুৰূপ স্রজিব পায়,
নহলে সৃষ্টিৰ সকলো কৌশল,
হ'ব কিয় একে ঠাই!
প্রকৃতি দেৱীৰ প্রমোদ কানন
এয়ে সেই কামৰূপ।
আছিল ইয়াতে মহা পৰাক্রমী
ভগদত্ত আদি ভূপ।
এয়ে সেই দেশ, এয়ে জল-বায়ু,
এয়ে ব্রহ্মপুত্র নই।
ইয়াতে উপজি শ্রীমন্ত শঙ্কৰে
জগৎ পেলালে জঁয়।
বিশ্বৰ প্রেমত মতলীয়া হই
উদাৰ মাধৱদেৱে,
নাম-ঘোষা ৰচি যি মন্ত্র শিকালে
ধৰা নাই কিয় কোৱা?
হেৰা নীলাচল ভেদি নভস্থল
লাগিলা তবধ কিয়?
শকতি স্বৰূপা হৈয়ো কিয় তুমি
নিদিয়া উছাহ জীৱ।
তোমাৰ আনন্দ হেৰা উমা-নন্দ
নেৰাখিবা লুকুৱাই;
ভোলানাথ ৰূপ ধৰাছোঁ অসমে
কি জানিবা সাৰ পায়।
গিৰি শিখৰত বহি নৱগ্রহ
পাতিবা কিমান মেল?
ভাঙ্গা ভাঙ্গা মেল চোৱা চকু মেলি
অসম তললৈ গ'ল।

হেবা হয়গ্রীব, হেবা অশ্বক্রান্ত,
হেবা মনিকর্ণেশ্বব,
হেবা উগ্রতাবা, উর্ব্বশী সুন্দবী,
উঠা উঠা শুক্রেশ্বব।
কাবা-মধুমত্ত আনন্দবকরা
তোমাব মনব বল,
অকনিমানকে দিয়া অসমক
কি জানি হয় সবল।
হিয়াব তলিত বিকশিত হোরা
আগ্রহ ফুলেবে গথা,
ধবা মালাখাবি লোরা উপহাব,
কি আছে কি দিম বঁটা।
(ক্রমশঃ)

ভক্তি-মার্গ

—শ্রীযুত লক্ষ্মীনাথ বেজবকব

১

ঈশ্বব প্রাপ্তিব চাবিটা মার্গ বা পথ শাস্ত্রবিহিত। (১) কর্ম্ম-মার্গ, (২) জ্ঞান-মার্গ, (৩) যোগ-মার্গ, (৪) ভক্তি-মার্গ। প্রত্যেক মার্গাবলম্বীযে নিজব নিজব মার্গক শ্রেষ্ঠ বিবেচনা কবে। এটাই কেউটা বাটব বাটকরাই নিজ নিজ বাটেদি গৈ অন্তত ঈশ্ববক যে পাব পাবে, তাত সন্দেহ নাই। কর্ম্ম-যোগীযে প্রথম অবস্থাত সাংসাবিক বিষয়-বাসনাব দ্বাবাই প্রণোদিত হৈ কর্ম্ম কবে। তাব পিছবটো চাপ--পবলোকত সুখ-ভোগব ইচ্ছাব দ্বাবাই। তৃতীয় বা শেষবটো চাপ—কর্ত্তব্যব প্রেবণাত কর্ম্ম কবি তাব ফল সম্পূর্ণকপে ঈশ্ববত সমর্পণ। গীতাত এই শিক্ষাকে ভগবন্ত শ্রীকৃষ্ণই অর্জ্জুনক দিছে :—

"তস্মাদসক্তঃ সততং কার্য্যং কর্ম্ম সমাচব।
অসক্তোহ্যাচবণ কর্ম্ম পবমাপ্নোতি পুকষঃ ॥"

অর্থাৎ তুমি ফলাভিসন্ধি বহিত হৈ সদায় অবশ্যে কবণীয় কর্ম্মানুষ্ঠান কবা। কাবণ অনাসক্ত হৈ কর্ম্ম কবিলে পুকষে মোক্ষলাভ কবে। এতেকে

"ময়ি সর্ব্বানি কর্ম্মানি সংন্যস্যাধ্যাত্ম চেতসা।
নিবাশী নির্ম্মমোভূত্বা যুধ্যস্ব বিগত জবঃ ॥"

অর্থাৎ সকলো কর্ম্ম মোত সমর্পণ কবি, মোত (আত্মাত) মন বাখি নিষ্কাম মমতাশূন্য হৈ শোক এবি তুমি যুদ্ধ কবা।

দ্বিতীয় পথ, জ্ঞান-মার্গ। এই মার্গাবলম্বীযে ভাবে যে প্রকৃত ব্রহ্মজ্ঞান হলে ঈশ্বব-প্রাপ্তি বা মুক্তি হয়। অর্থাৎ "সর্ব্ব ব্রহ্মময় জগৎ" এই জ্ঞান সম্পূর্ণকপে উপলব্ধি হলেই মুক্তি।

ব্রহ্মার্পণং ব্রহ্মহবির্ব্রহ্মাগ্নৌ ব্রহ্মণা হুতম।
ব্রহ্মৈব তেন গন্তব্যং ব্রহ্মকর্ম্ম সমাধিনা ॥

অর্থাৎ মুঠতে সমস্ত বস্তুবেই ব্রহ্ম, যাব এনে জ্ঞান হৈছে, তেওঁ ব্রহ্মকর্ম্ম সমাধিব দ্বাবাই অর্থাৎ ব্রহ্মই কর্ম্ম, তেওঁব দ্বাবাই সকলো কার্য্যব সমাধি হৈছে, এনে জ্ঞান যাব হৈছে, তেওঁ ব্রহ্মক পায়। এই বাবেই গীতাত কৈছে—

"নহি জ্ঞানেন সদৃশং পবিত্রমিহবিদ্যতে।"

তৃতীয় পথ, যোগ-মার্গ। এই যোগ, হঠযোগ নহয়, বাজযোগ। অর্থাৎ চিত্তবৃত্তি নিবোধ কবি পবমাত্মাত আত্মাক স্থাপন।

"জিতাত্মনঃ প্রশান্তস্য পবমাত্মা সমাহিতঃ।
শীতোষ্ণ সুখ-দুঃখেষু তথামানাপমানয়োঃ।"

যেতিয়া বাহ্য চিন্তাব পবা বিশেষকপে সংহত হৈ চিত্ত আত্মাত নিশ্চলভাবে স্থিতি কবে, তেতিয়া সর্ব্বকামনাব পবা নিস্পৃহ ব্যক্তি মুক্ত হয়। গীতাই আকৌ কৈছে—

যদাবিনিয়তং চিত্তমাত্মন্যেবাবতিষ্ঠতে।
নিস্পৃহঃ সর্ব্বকামেভ্যো মুক্ত ইত্যুচ্যতে তদা।

যোগযুক্তাত্মাই

সর্ব্বভূতস্থমাত্মানাং সর্ব্বভূতানিচাত্মনি।
ঈক্ষতে যোগ যুক্তাত্মা সর্ব্বত্র সমদর্শনঃ ॥

ইয়াবে প্রতিধ্বনি আমাব শ্রীশঙ্কবদেবব কীর্ত্তনত

—"আছন্ত ঈশ্বব ছবি সমস্তে ভূতত ॥"
"সমস্ত ভূততে দেখিবেক নাবায়ণ।
তাত পবে আন ধর্ম্ম সবে বিড়ম্বন ॥"
"সমস্ত ভূততে ব্যাপী আছোঁ মই হবি।
সবাক মানিবা তুমি বিষ্ণু-বুদ্ধি কবি।"
যো মাং পশ্যতি সর্ব্বত্র সর্ব্বঞ্চময়ি পশ্যতি।
তস্যাহং ন প্রণশ্যামি স চ মে ন প্রণশ্যতি ॥" (গীতা)

আকৌ—

"সর্ব্বভূতাস্থিতং যো মাং ভজত্যেকত্বমাস্থিতঃ।
সর্ব্বথা বর্ত্তমানোঽপি স যোগী ময়ি বর্ত্ততে ॥" (")

চতুর্থ মার্গ—ভক্তি-মার্গ। গীতাত এই চাবি মার্গবে উৎকর্ষ প্রতিপাদিত হৈছে। সেই দেখি যি যেই মার্গবে অনুগামী সি সেয়ে গীতাব মত আক শিক্ষা বুলি কয়। পাতঞ্জলিব যোগীয়ে ভাবে, গীতা যোগশাস্ত্র; আক শ্রীকৃষ্ণই যোগমার্গব শিক্ষাকে যাইকৈ দিছে। কর্ম্মযোগীয়েও ভাবে গীতা কর্ম্মযোগব শাস্ত্র আক, শ্রীকৃষ্ণ যাইকৈ তাবে শিক্ষক বা উপদেশক, কিন্তু গোলমাল আক দ্বন্দ্ব হাই বেছি জ্ঞান পথাবলম্বীব ভিতবত। শঙ্কবাচার্য্য জ্ঞানমার্গব প্রধান পথিক আক শিক্ষক। বামানুজাচার্য্য ভক্তি-মার্গব, আক আমাব শ্রীশঙ্কবদেবকে প্রমুখা কবি অনেক ধর্ম্মপ্রচাবক ভক্তি-মার্গানুবর্ত্তী। বঙ্গব শ্রীচৈতন্যদেবো ভক্তি পথবে পথিক; যদিও তেওঁব শিক্ষা দীক্ষা প্রথমতে জ্ঞানমার্গব মায়াবাদী সন্ন্যাসীব পবা পোৱা আছিল। চৈতন্যই যদিও প্রথম ডোখব নিজক মায়াবাদী সন্ন্যাসী বুলি অনেকবাব প্রকাশ কবিছিল, পিছত জ্ঞান-মার্গব মায়াবাদব পবা তেওঁ নিজক একেবাবেই বাহিব কবি আনি ভক্তিমার্গব

ধবণীধবকপ হৈছিল। শ্রীমদ্ভাগবতব টীকাকাব শ্রীধবস্বামী ভক্তি-বত্নাবলীব গ্রন্থকাব বিষ্ণুপুবীক তেওঁ আদর্শভাবে ববণ কবিছিল;—যদিও শেষত তেওঁ সহজীয়া পন্থব মধুব বসত নিজক একেবাবেই বুবাই নিজব অস্তিত্বকে বিলোপ কবি বঙ্গ আক উড়িষ্যাত বাধাকৃষ্ণব প্রেমব বান আনিছিল।

আমাব শ্রীশঙ্কবদেব শ্রীমাধবদেবে ভক্তিমার্গব শ্রেষ্ঠত্ব তেওঁলোকব শিক্ষা দীক্ষাত যথোচিতকপে প্রচাব কবি অসংখ্যবাব তাব গুণ বখানি সেয়ে এক মাথোন পথ বুলি উপদেশ দিছিল :—

"ভকতি সমান বলী নাহি নাহি আব।
কহয় মাধব গতি নন্দব কুমাব।" (ববগীত)
"নলাগে ভক্তিত দেব দ্বিজ ঋষি হইবে।
নলাগে সম্ভত শাস্ত্র বিস্তব জানিবে।
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেবলে ভক্তিত তুষ্ট হোন্ত নাবায়ণ ॥" (শঙ্কবদেব)
"হবিত ভকতি কবে সর্ব্বদায়
কবিয়া কীর্ত্তন-কর্ম্ম।
মনুষ্য লোকত এহিমানে মাত্র
পুকষব শ্রেষ্ঠ ধর্ম্ম ॥ (")
"নলাগোহোঁ সুখ ভোগ নলাগে মুকুতি।
তোমাব চবণে মাত্র থাকোক ভকতি ॥" (")
"আবেসে জানিলো সাব হবি ভকতিব পবে
নিস্তাব কবস্তা আন নাই।" (")
"নাবদন্ত বিষ্ণু আছন্ত কই।
বৈকুণ্ঠত মই নাথাকোঁ বই ॥
যোগীব হিয়া এবি সমুদায়।
থাকোঁ ভকতব কীর্ত্তন চাই ॥" (")

এই বাবেই শ্রীশঙ্কবদেব প্রচাবিত ধর্ম্মব শবণত ভক্তিব প্রতীক ভকতে প্রথম স্থান অধিকাব কবিছে। এইবাবেই ভক্তক নিন্দা কবোতাক—

"ভকতক নিন্দা কবে অধম।
জানিবা নামব দ্রোহী পবম।"

তাৰ বক্ষা নাই। ভক্তদ্রোহী নামাপৰাধীক ঈশ্বৰ কৃষ্ণয়ো বক্ষা নকবে। তাৰ বক্ষাৰ এক মাথোন উপায় নামত শৰণ, আক পুনৰ ভকতত শৰণাপন্ন হোৱা। ভক্ত অপৰাধীৰক অপমান কৰি মহামুনি দুৰ্ব্বাশাৰ কি দুৰ্গতি হৈছিল, নৱম স্কন্ধ ভাগৱতত সেই কথা বিশদভাৱে আছে।

গীতাতো শ্ৰীকৃষ্ণই ভক্তিমাৰ্গ হে সাৱতৈকৈয়ো সাৰ, এই পৰম উপদেশ অন্তত তেওঁৰ প্ৰিয় শিষ্য অৰ্জ্জুনক দিছে :—

"ময্যাৰ্পিত মনোবুদ্ধিৰ্যো মদ্ভক্তঃ স মে প্ৰিয়ঃ॥"
"সৰ্ব্বাৰম্ভ পৰিত্যাগী যো মদ্ভক্ত স মে প্ৰিয়ঃ॥"
"শুভাশুভপৰিত্যাগী ভক্তিমান্ যঃ স মে প্ৰিয়ঃ॥"
"অনিকেতঃ স্থিৰমতিৰ্ভক্তিমান মে প্ৰিয়োনৰঃ॥"
"শ্ৰদ্দধানা মৎপৰমা ভক্তাস্তেঽতীৱ মে প্ৰিয়ঃ॥"

আকৌ দচাই কৈছে :—

"সৰ্ব্বং গুহ্যতমং ভূয়ঃ শৃণু মে পৰমং বচঃ।
ইষ্টোঽসি মে দৃঢ়মিতি ততো বক্ষ্যামি তে হিতম॥
মন্মনা ভব মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মমৈৱৈষ্যাসি সত্যং প্ৰতিজানে প্ৰিয়োঽসি মে॥
সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ॥"

এই শ্লোক কেইটাৰ মানে—

সকলোতকৈ গুহ্যতম মোৰ পৰম কথা আকৌ শুনা; কাৰণ তুমি মোৰ অতি প্ৰিয়; এইবাবে তোমাক হিত কথা কৈছোঁ। তুমি মোতে চিত্ত দি, মোকে মাথোন ভক্তি কৰা, মোৰেই উপাসনা কৰা, আক মোকেই নমস্কাৰ কৰা। তেনে হলে তুমি মোক পাবা। এই কথা মই তোমাক সত্য প্ৰতিজ্ঞা কৰি কৈছোঁ; কাৰণ তুমি মোৰ প্ৰিয়। সকলো ধৰ্ম্ম ত্যাগ কৰি তুমি এক মাথোন মোক আশ্ৰয় কৰা; মই তোমাক সকলো পাপৰপৰা মুক্ত কৰিম, তুমি আক শোক নকৰিবা।

আমাৰ মহাপুৰুষ শ্ৰীমাধৱদেৱে এই কথাকে সুন্দৰকৈ ঘোষাত ভাঙি দিছে—

"মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলোঁ তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুন্দৰ সখি আমাৰ।"
"কৃষ্ণনিগদতি সত্যমাচি, পৰমাৰ্থ তত্ত্ব লৈয়া বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়া আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত গায়ো মোৰ গুণ নাম গীত,
সকল শাস্ত্ৰৰ কহিলোঁ সাৰ বহস্য॥"

এতেকে অতি বিনীত সেৱকৰ, পৰম ঈশ্বৰ চৰণত এই নিবেদন :—

"শোক মোহ মহাপঙ্ক মাজে অৰ্জ্জুন মগন ভৈল দেখি
পৰম ঈশ্বৰ দৈৱকী নন্দনন্দন।
কৃপায়ে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক,
হেন ঈশ্বৰৰ চৰণে লৈলোঁ শৰণ॥"

শ্ৰীকৃষ্ণ ভগৱন্তই কৰ্ম্মযোগ, জ্ঞানযোগ ভক্তিযোগৰ উৎকৰ্ষৰ বিষয়ে কৈ ভক্তিযোগকেই সকলোতকৈ শ্ৰেষ্ঠ আসন দিলে; সেই দেখিয়েই তাক তেওঁ "সৰ্ব্বগুহ্যতম" বুলি অভিহিত কৰিলে।



কামাখ্যা-তীৰ্থ

(কালিকাপুৰাণৰ পৰা—অনূদিত)

—পণ্ডিত শ্ৰীযুত কামাখ্যা চৰণ ভট্টাচাৰ্য্য

১

ভগৱন্ত মহাদেৱে বেতাল-ভৈৱৱৰ আগত কলে 'যি হেতু মোৰ লগত কাম চৰিতাৰ্থ কৰিবলৈ মহাগিৰিলৈ আহিছিল, এইবাবে সেই নীলকূট পৰ্ব্বতত, নিজানত থকা দেবী "কামাখ্যা" নামে কথিত হৈছে। এওঁ কামিনী, কামদা, কামা, কান্তা আক কামাদিদায়িনী; যি হেতু এওঁ কামাঙ্গ-নাশিনী। এই কাৰণে এওঁ কামাখ্যা নামে উক্ত হৈছে। এই কামাখ্যা দেবীৰ বিশেষ মাহাত্ম্য শুনা,—এই কামাখ্যা দেবীয়ে প্ৰকৃতিৰূপে গোটেই জগতক নিয়োজিত কৰিছে। মহামায়াৰ দ্বাৰা বিমোহিত হৈ, বিষ্ণুই যেতিয়া মধু আক কৈটভ অসুৰৰ সংহাৰ নিমিত্তে গুঁজত সাজু হৈছিল, তেতিয়া এই কামাখ্যা দেবীয়ে সিহঁতক মোহিত কৰে। দৈনন্দিন প্ৰলয়কালত ভগৱন্ত গৰুড়ধ্বজে টোপনি গলত, তেওঁৰ কাণৰ ভিতৰৰ পৰা মধু আক কৈটভ নামে দুজন অসুৰ ওলাইছিল। কাছৰ পিঠিত থকা পৃথিবী প্ৰলয় পানীত বুৰ গৈ আছিল, যোগনিদ্ৰা মহামায়াই সেই পৃথিবীক বিশাৰ্থ অবস্থাত দেখে। তেতিয়া ঈশ্বৰী মহামায়াই পৃথিবীক ডাঠ কৰিবলৈ অভিলাষিনী হৈ উপায় চিন্তা কৰিব ধৰিলে, কেনেকৈ পৃথিবী শকত হয়। এই কালত পৃথিবী যেন বিঁউৰ নিচিনা পানীত ভাহিব ধৰিছে, কিন্তু সৃষ্টিকালত এনেকুৱা অৱস্থাত থাকিলে কেনেকৈ প্ৰজা ধাৰণ কৰিবলৈ সমৰ্থ হব। সৃষ্টিৰূপিনী জগতৰ মাতৃয়ে এনেকুৱা চিন্তা কৰি বিষ্ণুৰ ওচৰলৈ গৈ উপায় থিৰ কৰিলে। তেওঁ সেই জগতৰ পতি জগন্নাথক শুই থকা অৱস্থাত পাই, বাওঁহাতৰ সৰু আঙুলিটোৰ আগভাগ তেওঁৰ কাণত সোমাই দিলে। সেই জগতৰ-প্ৰসবিনী যোগনিদ্ৰা দেবীয়ে সেইভাবে কাৰণ ভিতৰত আঙুলি সোমোৱাই নখৰ আগভাগেৰে কাণত থকা মলিক গুৰা কৰিলে। সেই বাওঁ-কাণৰ মলিৰ পৰা মধু নামে অসুৰ উপজিছিল। তাৰ পিছত, দেৱীয়ে সোঁ হাতৰ সৰু আঙুলিটোৰ আগখিনি দক্ষিণ কাণত সোমাই দিলে। আক সেই দক্ষিণ কাণৰ পৰাও মলি পালে। সেই মলিখিনিও আঙুলি দুটাৰ অগেৰে গুৰা কৰিলে। সেই মলিৰ পৰা "কৈটভ" নামে বৰ বলৱন্ত মহা-অসুৰ উপজিল। যি হেতু প্ৰথম অসুৰটোৱে উপজি মধুপান কৰিবলৈ প্ৰাৰ্থনা কৰিছিল, এই কাৰণে মহাদেৱীয়ে তাৰ নাম 'মধু' থৈছিল। দ্বিতীয়টো উৎপন্ন হৈ মহামায়াৰ হাতত কীটৰ নিচিনা শোভিত হৈছিল, এইবাবে দেবীয়ে নিজে তাৰ নাম "কৈটভ" থৈছিল। মহামায়াই সেই অসুৰ দুজনক কলে—তোমালোকে হৰিবে সৈতে যুঁজ কৰা। তেনেহলে এই হৰিয়ে তোমালোকক বধ কৰিব। যদি তোমালোকে নিজ মুখে প্ৰাৰ্থনা কৰা যে, হে বিষ্ণু! আপুনি আমাক বধ কৰক, তেনেহলে তেওঁ তোমালোকক বধ কৰিব, তাকে নকৰিলে হৰিয়েও তোমালোকক বধ কৰিবলৈ পাৰ্গত নহব। । এই ভাবে মহামায়াৰ দ্বাৰা মোহিত হৈ, সেই অসুৰ দুজনে ঘনে ঘনে বিষ্ণুৰ দেহাত ফুৰি ফুৰি নাভিপদ্মত থকা ব্ৰহ্মাক দেখা পালে। তেতিয়া সিঁহতে সেই ব্ৰহ্মাক কলে;—আজি আমি তোমাক এই ঠাইতে বধিম। এইবাবে যদি তুমি জীয়াই থাকিবলৈ ইচ্ছা কৰা, তেন্তে বিষ্ণুক জগোৱা। তাৰ পিছত ব্ৰহ্মাই ভয় পাই বহুবিধ স্তবেৰে যোগনিদ্ৰা, জগৎ-প্ৰসূ, মহামায়াক সন্তুষ্ট কৰিছিল। তাৰ পাছত দেবীয়ে, জগতৰ আত্মস্বৰূপ ব্ৰহ্মাৰ দ্বাৰা দীৰ্ঘকাল স্তুত হৈ প্ৰসন্ন হল; আক সেই বাগ্চিত্ত ব্ৰহ্মাক কলে,—হে মহাভাগ! কি কাৰণে মোৰ

স্তব কবিলা? মই তোমাব কি কাম কবিম, সেইটো কথা শীঘ্রে কোৱা। মই আজিয়েই তোমাব সেই কামটো কবোঁ। তেতিয়া মহাত্মা বিধাতাই মহামায়াক কলে, যেতিয়াকৈকে এই মধু আৰু কৈটভে মোক বধ নকবে, তাব ভিতবতে আপুনি জগন্নাথক; আৰু এই অসুব দুজনক মোহিত কবক।

জগতব আত্মাস্বৰূপ ব্রহ্মাব দ্বাবা এই ভাবে উক্ত হৈ, দেবী মহামায়াই নাবায়ণক প্রবোধিত আৰু মধু-কৈটভক মোহিত কবিলে। তাব পিছত ভগবন্ত হৰিয়ে সাব পাই ব্রহ্মাক ভীত অন্তস্থাত আৰু ভয়ঙ্কব মধু-কৈটভ অসুব দুজনক দেখিলে। তাব পিছত জনার্দ্দনে, সেই অসুব দুজনবে যুঁজিব ধবিলে; কিন্তু সেই বীব মধু আৰু কৈটভক পবাজয় কবিবলৈ সমর্থ নহল অনন্তেও ফণাব আগেবে সেই যুঁজ কবি থকা মধু, কৈটভ আৰু নাবায়ণ—এই তিনিজন মহাবীবক বহন কবিবলৈ সমর্থ হল। তাব পিছত ব্রহ্মাই, আধা যোজন দীঘল এটি শিলাকণা স্থিতিশক্তি কবিলে। নাবায়ণে সেই শিলাব ওপবত থিয় হৈ, সিঁহতবে সৈতে যুদ্ধ কবিব ধবিলে আৰু পানীব ভিতবত সোমাল। সেই শক্তি পানীত বুব গলত নাবায়ণে পাঁচ হাজাব বছব পানীব মাজত থাকি, সেই অসুব দুজনব লগত সদায় বাহু যুদ্ধ কবিছিল। যেতিয়া জগতব পতি বিষ্ণুবে, সেই অসুব দুজনক বধ কবিবলৈ অসমর্থ হল, তেতিয়া তেওঁব বব চিন্তা হল; ব্রহ্মাবো বব ভয় আৰু চিন্তা হল। তাব পিছত সেই বলদর্পিত অসুব দুজনে ঘনে ঘনে জগৎ মাতৃব মহামায়াব দ্বাবা বিমোহিত হৈ সিঁহতেই বিষ্ণুক কলে—। (ক্রমশঃ)



দাৰনী

গীত— —শ্রীযুত উমেশচন্দ্র চৌধাৰী বি-এল

অ' দাৰনী!
ধান দাই আছিলি ভুঁইতলিতে
ৰাংঢালী মোৰ নাচনী
তেজীৰঙা মু'খনি
তোৰ লাৱনী।

* * * *

নিজানত আজিও ফুৰ ধান দাই
আলেঙে আলেঙে যাৱ চ'কা চাই
মুকলি মনেৰে গীতটি গাই
উদঙাই হিয়াকণি
ৰঙাকৈ অ' লাহৰী
ধানতলি পোহবি
লাৱনী মোৰ দাৰনী!

বেলৰ ৰোমান্স

গল্প— —শ্রীযুত ৰাম দাশ বি-এ

এপ্রিমাছৰ বন্ধত কলিকতালৈ প্লেজাৰ ট্রিপ দিছোঁ। সঙ্গী অকল অজিত আৰু টকাকিটা। লগত অইন আনৈ আছকাল একো নাই। বস্তুবাহানিও মাত্র মানুহ দুটাই। উদ্দেশ্য সম্পূর্ণ ভাবে নাকী-জৰী এবি দি গোটেই বন্ধটো কলিকতাত ৰোমান্স কৰা।

পাণ্ডুলৈ নীবস মটৰ-জার্ণি শেষ কবি, বিফ্রেছমেণ্ট টেবুলব চাবিওফালে এবেলি চকু ঘুবাই অজিতে শূন্য-মনস্ক ভাবে কৈ উঠিল;—"ডেম্ ইট্, জগতব সকলো গল্প আৰু ৰোমান্সব প্লটবোব একেবাবে কবিব ভাজব দম্। এপ্রিমাছ ইভব অসম মেইলত কলিকতালৈ টেভেল্ কবিছো। নাইনে নাই এজনী টেটেৰা বঙালী ছোৱালীও ডেকব ওপবত থাকিব নেপায়নে? এনেকৈ হলে কেনেকৈ আৰু মানুহব প্রাণ বাঁচে? (হাতব ঘড়ীলৈ চাই) ফাইনেল্ বেললৈ অকল মাত্র একমিনিট সময় বাকী। মিলং ছাভিডিবোব কোন কাহানিবাই আহি গল। ওস্তাহাটীব পবাও ইমান পলমকৈ কোনো গাড়ী আহিব লগীয়া নাই। এতিয়া তুমি গৈ থার্ড ক্লাছত কেএনী আৰু মৈমনছিঙীয়াব মাইকীব মাজত সোমোলে হে বেলত ৰোমান্স কবা হব।"

উত্তৰ নিদি মই অজিতব হতাশাৰ 'পোজ'টোকে হাঁহি

মনে মনে উপভোগ কৰিছো মাত্ৰ এনেতে পাৰৰ পৰা চলন্ত মটৰ গাৰী এখনৰ তীব্ৰ ফ্ৰণ্ট লাইট্ এটা লৰি আহি জাহাজৰ পেছেঞ্জাৰৰ ওপৰত পৰিল। বৰ কৌতূহলেৰে অজিতক আগবাঢ়ি গৈ তালৈ মনোযোগ দিয়া দেখি ময়ো আগ্ৰহ দেখুৱাই তাৰ লগত থিয় হৈ কলোঁ ;—"ক্লৈব্যং মাস্ম গম পাৰ্থ। ইমান সোনকালে নিৰাশ হলে জীৱনত কোনো কামকে কৰিব নোৱাৰি। ফ্ৰণ্ট লাইটৰ পোহৰ দেখি তো গাড়ীখন যথেষ্ট দামী যেনেই অনুমান হৈছে। কোনে কব পাৰে এই গাড়ীতে আমাৰ দুয়োৰে মানস সুন্দৰী অলকাৰ পৰা 'ফুল স্পিডত' নামি অহা নাই। হয়তো বা বাটত পেট্ৰল কম পৰি দুই মিনিট বাই-ছান্স লেট্ হৈ গৈছে। নহলে ইচ্ছা কৰিয়ে এৰিষ্টোক্ৰেছী দেখুৱাবলৈ ঠিক সময় মতে মুৰামুৰিকৈ আহি উপস্থিত হৈছেহি। কোনে জানে, এইখন গুৱাহাটীৰ গাড়ী নহৈ শ্বিলঙৰ প্ৰাইভেট গাড়ীওতো হব পাৰে! কিবা কামত গুৱাহাটীত ষ্টপকৰি আহোঁতে আহোঁতে ইমান পলম হৈ গ'ল।"

আশাৰ মুখ দেখি অজিতে এটা সজীৱ হাঁহি মাৰি ৰেলিঙৰ ওচৰলৈ আহি ছিৰীৰ তললৈ লক্ষ্য কৰিলে। ময়ো তাৰ লগতে আহি কৌতূহলেৰে জাহাজৰ বাটলৈ একান্তমনে দৃষ্টি নিক্ষেপ কৰিলোঁ। মটৰ খন পাৰত আহি ৰোৱাৰ লগে লগে ফ্লেটৰ কুলী আৰু বাবুবোৰৰ মাজত ভীষণ কোঢ়াল আৰু ব্যস্ততা লাগি পৰিল। খালাচীবোৰেও ছিৰীবোৰ আধা তুলি নিয়াকৈ এৰি, চিঞৰ বাখৰ কৰি কোনোবা এজন উঠি অহাৰ দৰে হুছিয়াৰ হৈ অপেক্ষা কৰা যেন দেখুৱালে। আৰু অলপ সময়ৰ পিছত সঁচাসঁচিকৈ দুটামান কুলীৰ ওপৰত কিছুমান মাল বস্তু দি হাইহিল আৰু শাৰী পিন্ধা এজনী সুন্দৰী গাভৰু যথেষ্ট সম্ভ্ৰমেৰে জাহাজৰ ওপৰলৈ উঠি আহিল।

গাভৰুক তেনেকৈ অকলে অকলে জাহাজৰ ওপৰলৈ উঠি অহা দেখিয়েই অজিতে উল্লাসত জপিয়াই উঠি আনন্দৰ নৃত্য কৰিলে, ময়ো অজ্ঞাতসাৰে তাৰ আনন্দত যোগদি গাভৰু কোনপিনে আহে তাকে চাবলৈ গৈ ডেকৰ খটখটিৰ মুখত থিয় হলোঁ। অপূৰ্ব্ব সুন্দৰ দেহৰ ভঙ্গী দেখুৱাই গাভৰুৱে লয় লাসে এখোজ দুখোজ কৈ খাপে খাপে ওপৰলৈ উঠি আহিল। আৰু চাওঁতে চাওঁতে দুয়োকো স্তব্ধ আৰু বিচলিত কৰি আন কোনো ফালে চকু নেপেলাই ইণ্টাৰৰ 'জানানা' ঘৰৰ পিনে পোনে পোনে গতি কৰিলে। দুয়ো তেতিয়াও কোনো কথা নকৈ ছিনেমাৰ ছবিৰ দৰে অকল গাভৰুৰ গতি বিধি লক্ষ্য কৰি ৰলোঁ। দেখিলো, তেওঁ যথেষ্ট পৰিচিতৰ দৰে কেবিনৰ সন্মুখলৈ আহি মালবস্তুবোৰ কুলীৰ মূৰৰ পৰা নমোৱাই থলে। আৰু বন্ধ কেবিনৰ দুৱাৰখন হাতেৰে ঠেলি খুলিবলৈ কোনো চেষ্টা নকৰি মালবোৰ এনেই ডেকৰ ওপৰতে থবলৈ আদেশ দিলে। আৰু তাৰ পিছত অতি সুস্থিৰে হাতৰ সুন্দৰ সৰু বেগখনৰ পৰা পইছা উলিয়াই কুলীক বিদায় কৰি দি, মালৰ ওচৰৰ পৰা লাহে লাহে আঁতৰি গৈ, ৰেলিঙৰ কাষত আহি থিয় হৈ পাৰৰ পিনে চাবলৈ ধৰিলে।

ইমান খিনি ঘটি যোৱাৰ পিছতহে দুয়ো নিশ্চিন্ত হৈ আনন্দত কথা কবলৈ আৰম্ভ কৰিলোঁ। আৰু মুখ খুলোতেই উত্তেজনাৰ প্ৰকোপত দুয়োৰে ভিতৰত হঠাতে গাভৰুৰ জাতি আৰু গন্তব্য স্থান লৈ এটা ভীষণ তৰ্কযুদ্ধ লাগি উঠিল।

মই প্ৰথমৰ পৰা মোৰ একমাত্ৰ সিদ্ধান্ততে আকোঁৰ গজালিৰ দৰে লাগি থাকিলো। মোৰ মতে গাভৰুৰ গন্তব্যস্থান আমাৰ দৰেই কলিকতা। আৰু জাতিত তেওঁ শাৰীপৰিহিতা হলেও শ্বিলঙ বাসিনী। বিদেশী ধৰণ এটা গাত থাকিলেও চলন ফুৰণৰ অবাধ স্বচ্ছন্দতালৈ চাই তেওঁক বিদেশী বুলি কোৱা নাযায়। এবাৰ তেওঁৰ উন্মুক্ত গতি বিধিলৈ আৰু লাগেজৰ ওপৰত অসংখ্য কৰ্ম্মাছিয়েল কেৰিঙ কোম্পানীৰ লেবেললৈ লক্ষ্য কৰিলেই কব পাৰি তেওঁ শ্বিলঙৰ পৰা ফ্লেটৰ ওপৰেদি জীৱনত কিমান বাৰ অহা যোৱা কৰিছে। ইণ্টাৰ ক্লাছৰ আৰু ছেকেণ্ড ক্লাছৰ ঠাই বিচাৰি তেওঁৰ অকণো ভুল লগা নাই। আনকি কুলীক ফ্লেটৰ ওপৰত কেই পইছা দিব লাগে তাৰো নিৰ্দ্দিষ্ট ৰেট তেওঁৰ জনা আছে। তাৰ উপৰিও জাহাজৰ ডেকৰ ওপৰৰ পৰা ৰাতিৰ আন্ধাৰৰ মাজত

পাণ্ডু ঘাটৰ ক্ৰমান্বয়ে আঁতৰি যোৱা পাৰৰ দৃশ্যটো যে চাবলৈ বৰ মনোৰম আৰু কৰুণ তাকো তেওঁ যেন আগৰ পৰাই জানে। নহলে জাহাজ এৰি দিয়াৰ পিছৰ পৰাই তেওঁ পাৰৰ ফাললৈ কেলৈ ইমান মনোযোগেৰে চাই থাকিল হেঁতেন। তাৰ পিছত গাভৰু শ্বিলঙ পাহাৰৰ হলেও তেওঁ অসমীয়ানে বঙালী এই কথালৈ এটা প্ৰশ্ন উঠিব পাৰে। গাভৰুৰ গাত অসমীয়া তিৰোতাৰ সাজপাৰ ৰিহা মেখেলা নাই যেতিয়া গাভৰু অসমীয়া হোৱাটো প্ৰথমেই অসম্ভৱ। কিয়নো আজি কালি জাতীয়তাৰ দিনত অসমীয়া শিক্ষিতা মহিলাই পাৰিলে মৰিলেও ৰিহামেখেলাযোৰ লগত নিবলৈ বিচৰা যেন দেখা যায়। তাৰ পাছত বঙালী। ইমান খিনি মুখৰ লাবণ্য আৰু স্বাস্থ্যৰ বিমল শ্ৰী বঙালী ছোৱালীয়ে এশবছৰেও শত সাধ্য সাধনা কৰিও পাব নোৱাৰে। গতিকে সকলো বাদ দিলে গাভৰুক শ্বিলঙ পাহাৰৰ নিজ নিবাসী বুলি স্থিৰ কৰা একপ্ৰকাৰ নিশ্চিত হৈ পৰে। আৰু বাস্তবিকে গাভৰুৰ এই সুন্দৰ তপ্ত কাঞ্চনৰ দৰে মুখৰ সৌন্দৰ্য্য খিনি শ্বিলঙৰ শৈলভূমিৰ শাৰী শাৰী পাইন গছ আৰু তুষাৰ শুভ্ৰ কুঁৱলিৰ বেক্ গ্ৰাউণ্ডৰ মাজত লৈ নাচালে আন কোনো অৱস্থাতে চাই তাৰ প্ৰকৃত মধুৰতা উপলব্ধি কৰিব নোৱাৰি।

আমাৰ চিন্তা চলি থাকোঁতে থাকোঁতে ফেৰী গৈ সিপাৰত লাগিল। আৰু লগে লগে উঠা-নমা যাত্ৰীৰ ভীষণ হুৰাহুৰি পৰি গ'ল। আমি দুয়ো বৰ তৎপৰ হৈ তৎক্ষণাৎ সাজু হৈওলালোঁ। কিন্তু আনৰদৰে আগৈয়ে গৈ থেলি হেচুকি গাড়ীত এডোখৰ ঠাই উলিওৱাৰ চিন্তাত নহয়। কেনেকৈ বাটত পোৱা এই ৰহস্যময়ী ৰোমান্সৰ নায়িকা জনা আমাৰ হাত এৰা নহয় তাৰে চেষ্টাত। বিৰ-দি বাট ফালি ভিৰৰ মাজেদি খুন্দিয়াই আমি সকলোৰে আগৈয়ে গৈ আমিনগাওঁৰ পাৰত উঠিলোঁ। আৰু প্ৰথমতে দীঘে-দীঘে গোটেই ৰেলখনৰে এটা ওপৰে ওপৰে পৰ্য্যবেক্ষণ কৰি পেলালো। আৰু গাভৰু আহি কোনটো ডাবাত উঠিলে আমাৰ কেনেকুৱা বুদ্ধি খটাই সেই ডাবাটোত উঠিব পৰা যাব তাৰে মুখে মুখে এটা হিচাব কৰিবলৈ লাগি গলো।

প্ৰথমতে প্ৰশ্ন উঠিল গাভৰুৱে পুৰুষৰ নে মহিলাৰ গাড়ীত আহি উঠিব। অজিতৰ অনুমান মতে গাভৰুৰ ধৰণ-ধাৰণ লৈ চাই তেওঁ কেতিয়াও মহিলাৰ গাড়ীত নুঠে। কিয়নো প্ৰথমতে আধুনিক স্বাধীন ভাবৰ মহিলাই সুকীয়া তিৰোতাৰ গাড়ীত উঠিবলৈ অপমান বোধ কৰে আৰু দ্বিতীয়তে আমিনগাওঁৰ পৰা এই চোৱা অকলে অকলে ফিমেল্ ইণ্টাৰত যোৱা বৰ ভয়াবহ কথা ; ইয়াক পৰাপৰ্য্যন্ত কলেজীয়া সাহসিয়াল ছোৱালী বোৰেও পৰিত্যাগ কৰে।

যদি তিৰোতাৰ গাড়ীত নুঠি গাভৰুৱে নিজে নিজে আহি মতাৰ কোনো এখন ডাবাত আহি উঠে, তেনেহলে আমাৰ পৰিশ্ৰম প্ৰায় আধা লাঘৱ হোৱা বুলি ধৰি লব লাগিব। কিন্তু তথাপি সতৰ্কতাৰ কাৰণে অলপ বুদ্ধি কৌশলৰ প্ৰয়োজন হব পাৰে কিয়নো এনেকুৱা ক্ষেত্ৰত নেপোলিয়নৰ পাঁচ মিনিটৰ ভুলৰ দৰে অতি সামান্য ভুল এটায়ো সময়ে সময়ে সকলো হৈ অহা কাম পণ্ড কৰি পেলায়। গতিকে আগৰে পৰা মীমাংসা হৈ থাকিল যে আমি দুয়ো আগধৰি গৈ দুটা মতাৰ ইণ্টাৰ ক্লাছত উঠি থাকিম। আৰু যাৰে গাড়ীতে গাভৰু আহি নুঠে সিয়ে গৈ আনটো খোটালিত উঠিবলৈ পিছত চেষ্টা কৰিব। তাৰ কাৰণে বুদ্ধি তৈয়াৰ হৈ থাকিল যে ঠিক গাড়ী এৰোঁ এৰোঁ হোৱাৰ সময়ত হে এজনে বৰ বিপদত পৰাৰ নিচিনাকৈ গাভৰুৱে উঠা কোঠালিৰ ওচৰ চাপিব লাগিব। আৰু আন খন গাড়ীত যাত্ৰীৰ মহা ভিৰ, প্ৰাণ লৈ যাত্ৰা কৰা অসম্ভৱ ইত্যাদি নানা আপত্তি দেখুৱাই উঠাৰ অনুমতি বিচাৰিব লাগিব। তেতিয়া আনজনে সম্পূৰ্ণ অপৰিচিতৰ দৰে তেওঁক বহিবলৈ অলপ ঠাই এৰি দি ওচৰত বহিবলৈ কব আৰু আনজনে ভীষণ কৃতজ্ঞতাত গদ্ গদ্কৈ সম্পূৰ্ণ নতুনৰ নিচিনাকৈ তেতিয়াৰ পৰা ভীষণ বন্ধুহৈ পৰিব।

আমাৰ মন্ত্ৰণা শেষ হবলৈ নৌ পাওঁতেই গাভৰুক মানুহৰ মাজত দেখা গ'ল। ধৰা পৰাৰ ভয়ত মই

ততালিকে অজিতৰ কাষৰ পৰা আঁতৰি গৈ ওচৰৰ যিখন ইণ্টাৰৰ খোটালি পালোঁ তাতেই উঠি ললোঁ কিন্তু কি আচৰিত কথা গাভৰুৱেও আহি মালবস্তুলৈ ঠিক সেইখন খোটালিতেই উঠিলহি। সি যি নহওক অজিতেও ঠিক ৰেল এৰো এৰো সময়ত আগৰ বুদ্ধি খটাই ভীষণ ঠাক-ঠিক মতে আহি গাড়ীত উঠি বহিল। আৰু উঠিয়েই খোটালিৰ আমাৰ তিনিজনৰ বাহিৰে আন কাকো নেদেখি উল্লাসত থাকিব নোৱাৰি নিজক পাহৰি গৈ একেবাৰে মোৰ ট্ৰাউজাৰৰ ওপৰেদি কৰঙনত প্ৰকাণ্ড এটা ছিকুট মাৰি দিলে। মই হাঁহি চেপি ৰাখিব নোৱাৰি, ছিগাৰেটৰ কেছুটো উলিয়াই দি এটা ছিগাৰেট যাঁচি কোনো ৰকমে তাৰ মুখখন বন্ধ কৰিলোঁ।

আমিনগাওঁ ষ্টেশ্যন এৰি পাহাৰকটা ঠেক বাটৰ মাজেদি ৰেলে দীঘল উকি মাৰি তাৰ সুদূৰৰ জয়যাত্ৰাত ছুটি মেলিলে। ডিছেম্বৰ মাহৰ কুঁৱলীৰ সৈতে চেঁচা বতাহৰ সোঁত ৰেলৰ খোলা খিৰিকীৰে সোঁ-সোৱাই ভিতৰলৈ আহিবলৈ ধৰিলে। আমাৰ দুয়োৰে উত্তেজিত মুখৰ তপত তেজৰ ওপৰত সেই চেঁচা বতাহৰ শীতল পৰশে আৰু বেছি পুলকৰ শিহৰণ তুলি গ'ল। মই অকল আনন্দত আত্মহাৰা হৈ বাৰে বাৰে ভাবিবলৈ ধৰিলোঁ যে আজিৰ আমাৰ এই যাত্ৰাৰ মাহেন্দ্ৰ ক্ষণটো নোটবুকত টুকি ৰাখিব পৰা হলে ভৱিষ্যতত বৰ উপকাৰত আহিল হেঁতেন।

গাভৰুৱে ট্ৰেইনত উঠিয়েই আমাৰ সমুখৰ গদীৰ ওপৰত ৰাগ পাৰি লৈ বহি একান্তমনে এখন ইংৰাজী নভেল মেলি ললে। আৰু আমি দুয়ো আন হাতৰ শুদা বেঞ্চিৰ ওপৰত বহি, আগত এটা উপভোগ্য বস্তু পৰাৰ নচিনাকৈ, তেওঁৰে পিনে একেথৰে চাই ৰলোঁ। কিন্তু আচৰিত কথা তেওঁ আমাৰ দৃষ্টিৰ আগত কোনো অসুবিধা অনুভৱ নকৰি একেভাৱেই আগৰ দৰে বহি গ'ল। আৰু ঠিক তেনেকৈয়ে কিতাপ পঢ়ি পঢ়ি কিছুদূৰ গৈ অলপ অস্বাভাৱিক ৰকমে খিৰিকীৰ কাঠতে মূৰটো পেলাই টোপনি যোৱাৰ আয়োজন কৰিলে। ইমান সোনকালে অসম্ভৱ ৰকমে ক্লান্ত হৈ দুজন অচিনাকী যাত্ৰীৰ সমুখত গাভৰুক অসতৰ্ক ভাৱে শুই পৰা দেখি আমাৰ দুয়োৰে মনত বুজিব নোৱাৰা এটা সন্দেহ জাগি উঠিল। আৰু মনৰ অনিশ্চয়তাত, একোকে নেপাই গাভৰুৰ সুপ্ত সৌন্দৰ্য্যকে একান্তমনে চাবলৈ ধৰিলোঁ।

খোটালিৰ উদ্ভাসিত বিজুলী চাকিৰ কিৰণত নিস্পন্দ, শিথিল গাভৰুৰ ছবিখনি শিল্পীৰ মৰ্ম্মৰ প্ৰতিমূৰ্ত্তিৰ দৰে প্ৰহেলিকাৰ নিচিনা আমাৰ চকুৰ আগত পৰি ৰ'ল। আমাৰ দুয়োৰে দৃষ্টিৰ তলত পৰি প্ৰতি ক্ষণে ক্ষণে তাৰ ৰূপমাধুৰী চৰি আহিবলৈ ধৰিলে।

চাই দেখিলোঁ, মূৰৰ সোঁ-ফালেদি কপালৰ ওপৰত আওহতীয়াকৈ গজা কেডালি মান চুলিৰ কাষে কাষে গাভৰুৰ সেওতাটো অতি স্পষ্ট আৰু দীঘলৈ কৈ ভাগ কৰি লোৱা। বাওঁফালৰ খোপাৰ ওপৰত ঠিক কাণে কাণে অস্পষ্ট ক'লা ক্লিপ্—বোধকৰোঁ ট্ৰেইনৰ বতাহৰ দৌৰাত্ম্যৰ পৰা অসংলগ্ন চুলিবোৰ ৰক্ষা কৰিবলৈ ৰাতিৰ কাৰণে এই ব্যৱস্থা। অত্যন্ত 'ছৰ্ট-শ্লিভৰ লো কাটৰ' গাৰ ব্লাউছৰ ৰঙটো তীব্ৰ ৰাঙলী। সেই ৰঙ্ গাৰ উজ্জ্বল সোণবৰণীয়া ৰঙৰ ওপৰত পৰি, উন্মুক্ত বক্ষ আৰু বাহুৰ কাষ বোৰত তাক আৰু বেছি কাম উদ্দীপক কৰি তুলিছে। কিঞ্চিৎ নীলাভ শাৰীখনৰ বুকৰ এফালৰ ঢাকনিৰ কাষেদি আনফাল তেনেই মুকলি হৈ অকলঙ্ক ভাৱে প্ৰকাশ হৈ আছে। উৰুৰ, নিতম্বৰ সকলো ফালৰে দেহৰ অঙ্গৰপৰা ৰূপৰ জেউতি যেন পৰিধানৰ বসন ভেদ কৰি বিৰিঙি ওলাব খোজে। এনেকৈ ক'লাৰঙৰ জুতাৰ ফাঁকৰ মাজেদি নিটোল ভৰিৰ শুভ্ৰ যিখিনি ৰঙ বাহিৰত প্ৰকাশ হৈ আছে সেয়েই যেন অকলে মনৰ কামনাক উদ্দাম কৰি তুলিব পাৰে।

একেদৰে গাভৰুক আমাৰ চকুৰ আগত ৰাখি ৰেলে ষ্টেশ্যন পেলাই ক্ৰমান্বয়ে আগবাঢ়ি যাবলৈ ধৰিলে। আৰু আমি দুয়ো আন সকলো কথালৈ পিঠি দি অকল দুটা মন্ত্ৰ মুগ্ধ উপাসকৰ দৰে সেই পথৰ অচিনাকী ৰহস্যময়ী সুন্দৰীৰ সৌন্দৰ্য্য সাধনাত ধ্যানস্থ হৈ ৰলোঁ।

এনেতে এবাৰ হঠাতে খিৰিকীৰ কাঁচৰ মাজেদি মোৰ বাহিৰৰ আন্ধাৰৰ ফালে চকু গ'ল। দেখিলোঁ সেই ঘোৰ

কৃষ্ণবৰ্ণ ৰাতিৰ আন্ধাৰৰ বুকুত একেলানি পাতি অসংখ্য জোনাকীৰ মালাই জলমলাব লাগিছে। কিথান দূৰৰ পৰা যে সেই অগণিত ক্ষুদ্ৰ ফিৰিঙতৰ উপনিবেশ খনি আৰম্ভ হৈছিল তাক কব নোৱাৰি, আৰু কিমান আঁতৰত গৈয়ে ইয়াৰ অন্ত পৰিব তাকো নিশ্চিত কৰি কোৱা টান। যেন ৰেলৰ আলি-বাটটোৰ গতিৰ দৰেই ইহঁতৰো পথৰ গতি একেই সীমা-হীন অন্তহীন অনন্তৰ পিনে। মুহূৰ্ত্তৰ কাৰণে গাভৰুক পাহৰি গৈ এই অপূৰ্ব্ব আলোক মালালৈ একেথৰে চাই আছোঁ, এনেতে হঠাতে অজিতে মোৰ হাতত খামোচ মাৰি ধৰি বিচলিত ভাবে কৈ উঠিলে, —

"গাভৰুৰ কপালত সেইটো কি জলিছে চাচোন?" তাৰ কণ্ঠস্বৰ ভীষণ ভীতিপূৰ্ণ আৰু মুখত এটি গভীৰ ৰহস্যৰ ভাব। বৰ বেছি মনোযোগ নিদিয়াকৈ মই পাতলভাবে উত্তৰ দিলো—"বোধকৰোঁ জোনাকী, বাহিৰৰ পৰা উৰি আহি পৰিছে হবলা।"

অজিতে আৰু বেছি উদ্বেগৰ সৈতে প্ৰায় থিয় হোৱাৰ নিচিনাকৈ কলে, —"জোনাকী কেতিয়াও হব নোৱাৰে! ইমানবোৰ জোনাকী একেলগে লালিপাতি পৰা অসম্ভৱ। নেদেখিছ কপালৰ ঠিক সোঁ মাজে মাজে জলিছে কেনেকৈ?"

মোৰ দ্বিতীয় প্ৰতিবাদলৈ অকণো অপেক্ষা নকৰি অজিতে এহাতেৰে বাঙ্কৰ শিকলিত ধৰি থিয় হৈ কলে,— "ওচৰলৈ গৈ মই জুমি চাওঁ। কি আচৰিত কথা এনেকুৱা অদ্ভুত পোহৰ মই জীৱনত কতো দেখা নাই। অলপ আগৈয়ে তো একো নাছিল। চাওঁতে চাওঁতে যেন চকুৰ আগতে মোৰ পোহৰটো জলি উঠিছে।"

চলন্ত ট্ৰেইনত ভৰি চম্ভালি অজিতে কথমপি থিয় হল। আৰু ময়ো তাৰ লগে লগে উঠি কৌতূহলত থিয় হৈছোঁ হে মাথোন এনেতে কুৎসিৎ এটা শব্দ কৰি ৰেলখন হঠাতে ৰৈ গ'ল। বাহিৰত ৰঙীয়া ষ্টেশ্যনৰ কোলাহলে প্ৰহেলিকাৰ সকলো কৌতুক আমাৰ ভঙ্গ কৰি পেলালে. আশাত বৰ ডাঙৰ বাধা পোৱাৰ নিচিনাকৈ আমি দুয়ো ঠিক তেনেকৈ খোটালিৰ মাজত থিয় হৈ ৰলোঁ। মনত প্ৰবল ইচ্ছা ৰ'ল যে ট্ৰেইন চলিবলৈ আৰম্ভ কৰিলেই আমি পৰীক্ষা আৰম্ভ কৰিম, নহলে গাভৰুৱে এতিয়া সাৰ পোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

দুয়ো সেই একে উৎকণ্ঠালৈ নিৰ্ম্মিমেষ দৃষ্টিৰে গাভৰুৰ কপালৰ অপূৰ্ব্ব জ্যোতিৰেখা টোলৈ একাগ্ৰ মনেৰে চাই আছো গাড়ীখন আকৌ কেতিয়া চলিবলৈ আৰম্ভ কৰে, আৰু আমি আমাক সেই কৌতুহলৰ কি এটা সমাধান কৰি লব পাৰো। এনেতে বৰ ব্যগ্ৰ ভাবে কোনোবাই আমাৰ ট্ৰেইনৰ খোটালিৰ দুৱাৰখন খুলি পেলালে। আৰু আমি দুয়ো অবাক্ আৰু হতভম্ব হৈ দেখিলো যে কদৰ্য বেশ ভূষাৰে অতি অদ্ভুত চেহেৰাৰ যাত্ৰী এজনে মহা আতঙ্কত লৰি আহি আমাৰ খোটালিৰ ভিতৰত সোমাল। চকুত তাৰ সহিব নোৱাৰা জলন্ত এটা ভীতিৰ অগ্নিশিখা। আৰু গোটেই গা-মূৰে এটি স্পষ্ট উন্মাদৰ ভাব। মূৰৰ দীঘল আৰু ধূলিবন্ধ চুলিবোৰ যেনিয়ে তেনিয়ে সিচিৰতি হৈ আউলি পৰিছে। তাৰ ফটা ছিৰা লেটেৰা কম্বল খনো ভালকৈ কতো থিতাপি হৈ থকা নাই, জানিবা এই মাত্ৰ সি কৰবাত এটা মাৰাত্মক নৰ হত্যা কৰি সাৰিবলৈ প্ৰাণ লৈ পলাই আহিছে।

আমি বাধা দিয়াৰ আগৈয়ে সি কৈ পেলালে,— "আপোনালোকৰ ভীষণ অসুবিধা কৰিছোঁ, বিৰক্তি কৰিছোঁ বুজিব পাৰিছোঁ, কিন্তু উপায় নাই। ভীতি,— ভীতি, আতঙ্কই মোৰ গোটেই জীৱন সুহি পেলাইছে, পুলিচৰ নহয়, ৰেলুৱে চেকাৰৰ নহয়, নিয়তিৰ বজ্ৰশাসন বিধাতাৰ। আজি পোন্ধৰ বছৰে পলাই পলাই শান্তিৰ কণিকা এটিও মই পোৱা নাই। আজি অকল, আজিৰ ৰাতিটো মোৰ জীৱনত বাকী। তেনেহলে আকৌ পাঁচোটি বছৰ মই বাঁচিব পাৰিম। কাৰণ প্ৰতি পাঁচ বছৰে বছৰে তাই মোৰ মৃত্যু হৈ প্ৰতিশোধ লবলৈ আহে। তিনি বেলি আহি চেষ্টা কৰিছে, তিনি বেলি মই সাৰি গৈছোঁ, কিন্তু ইবেলিৰ দৰে এবেলিও মই ইমান দুৰ্ব্বল হৈ পৰা নাই।"

বাধা দিওঁ বুলিয়ে বোধ কৰো সি মজিয়াত বহি লৈ আমাৰ দুয়োৰে ভৰিত পদ দলিত হৈ কলে,—"কোনে

কয় এই পৃথিবীতে পাপীৰ নৰক যন্ত্ৰণা নহয় বুলি। যদি ইয়াৰ পিছতো বিধাতাই মোক কোনোবা নৰকত শাস্তি দিবলৈ সাজু হৈ আছে তেনেহলে মই মোৰ, এই প্ৰাণ লৈ তাৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিম।"

সকলো পাহৰি গৈ আচৰিত হৈ দুয়ো এই অদ্ভুত আগন্তুকৰ মুখৰ যন্ত্ৰণাৰ ভঙ্গীবোৰৰ ফালে একে থৰে চাই আছিলো, কেতিয়া যে আকৌ ৰেল চলি বলৈ আৰম্ভ কৰিছিল, তাৰ এজনেও গম নাপালোঁ সি আমাৰ কাৰো মুখলৈ নাচাই, আচৰিত ৰকমে ৰেলৰ বিজুলী চাকিটোৰ পিনে মুখ কৰি, তাৰ কথা বোৰ একে উচ্ছাসতে কৈ গল। যেন মৰণৰ আগ মুহূৰ্ত্তত কোনোৱা নেদেখা শক্তিয়ে তাক ভিতৰৰ পৰা কবলৈ বাধ্য কৰাইছে।

"আপোনালোকৰ আগত মোৰ জীৱনৰ কাহিনীৰ ঘটনাবোৰ কৈ যাওঁ। কোনে জানে হয়তো বা তাকে কবলৈ জীৱনত এই মোৰ শেষ সুযোগো হব পাৰে। অব্যক্ত ব্যথাৰ দৰে কষ্টদায়ক মৰ্ম্মৰ যন্ত্ৰণা একো নাই। এই যন্ত্ৰণা মই গোটেই জীৱনে ভোগ কৰিছোঁ। কব গৈয়ে প্ৰাণৰ ভয়ত মৰ্ম্মৰ কথাটি মই কতো ব্যক্ত কৰিব পৰা নাই। সেই কোঠাতে থাকি সিহঁতৰ আগতো মই কব পাৰিলো হেঁতেন। কিন্তু কৰবাৰ বঙালি বেমাৰী বাবু এটা হঠাতে মৰি থাকিল লগত অহা ঘৈণীয়েক জনীয়ে আৰু লৰা-ছোৱালী কেইটাই অসম্ভৱ ৰকমে চিক্ৰৰি কান্দিবলৈ ধৰিলে। কেনেবাকৈ হঠাতে জানো মোৰ আকৌ সেই আগৰ আতঙ্ক জাগি উঠিল। ভাবিলো, এইমাত্ৰ যেন কৰবাত আকৌ তাইৰ মুখখন দেখা পাম। লৰি পলাই আহি কোনো মতে এই খোটালিত সোমাই অলপ সুস্থিৰ বোধ কৰিছোঁ। আপোনালোকে অনুগ্ৰহ কৰি যেন, মোক উলিয়াই নপঠিয়ায়।"

হঠাতে অলপ গম্ভীৰ হৈ ক্ষণেক জিৰাই, সি আকৌ চাকিৰ ফালে মুখঘূৰাই একেভাবে কৈ যাবলৈ ধৰিলে।

"পোন্ধৰ বছৰ বৰ কম সময় নহয়। কিন্তু এই পোন্ধ বছৰেই মই ভুগিছোঁ। শৰীৰত যথেষ্ট বল আছিল দেখিহে, নহলে মোক একেবাৰে কাবু কৰি পেলালে হেঁতেন। সৰুতে ফুটবল খেলিছিলো, পেৰেলেল বাৰ কৰিছিলোঁ, সাঁতুৰি ব্ৰহ্মপুত্ৰও ইপাৰ সিপাৰ পাৰ হৈছিলোঁ, বাৰু থক্ "

"বৰছাহাবৰ ড্ৰাইভাৰ যেতিয়া, মেজাজটোও মোৰ অলপ চৰা আছিল। তাতে সেই বিধ—সকলো ডাইভাৰেই খায়, কিমান ডাঙৰ মানুহকো খোৱা দেখিছিলোঁ। খঙ মোৰ সৰুৰে পৰা অলপ বেছি আছিল। কিন্তু সিদিনা জানো, বিনা কাৰণতে এনেয়ে মোৰ মূৰটো জ্বলি গল তাইকোতো তেনেকৈ বহুত দিন মই মাৰিছিলোঁ। কিন্তু এদিনো তেনে কুৱা হব বুলি ভয় খোৱা নাছিলোঁ তাই মানে মোৰ সেই আতঙ্কৰ তাই নহয়। মোৰ ঘৈণী, মোৰ বিবাহিতা নিজৰ ঘৈণী।

"ছাহাবক লাঞ্চ খাবলৈ বঙলাত থৈ আহি মাত্ৰ দুটাবজাত সিদিনা দহ মিনিটৰ কাৰণে কামৰ পৰা ছুটি পাইছিলোঁ। ৰাতিপুৱা মফঃস্বলৰ পৰা ছাহাব অহাৰ পৰা তেতিয়ালৈকে কামত যি ঘূৰি ফুৰিছিলোঁ, তাৰ মাজত এক মিনিটো জিৰাবলৈ আজৰি পোৱা নাই। ছিগাৰেট খাই খাই ডিঙিৰ ভিতৰত একেবাৰে খাজ গৈছিল। ভোকত পেটত ৰপৰপনিৰ জুই জ্বলিছিল। ঘৰ আহি পাই দেখিলোঁ, ঘৈণীয়ে মজিয়াত পীৰা যোৰাদি টোপনিত লাল কাল দি শুই আছে। ৰান্ধনি ঘৰৰ ভঙাদুৱাৰ ঠেলি চকুৰ সকলো ভাত গৰুৱে খাই পেলাইছে।

"মূৰত জুই জ্বলি গল, কব নোৱাৰিলোঁ, ঘৈণীৰ গাত গোৰ মাৰি পাঠিয়ালোঁ। বুকুত নপৰি ভৰিখন হুহুকি তলত পৰিল। ভাবিছিলোঁ আনদিনৰ দৰে তাই চকুমেলি চাব, হয়তো এষাৰ টান কথা কৈ খঙ কৰিব আৰু শেষত সেও হৈ আকৌ উঠি ভাত ৰান্ধি দিবগৈ। কিন্তু আচৰিত হলো, তাই বেছি লৰচৰ একো নকৰিলে, অদ্ভুত ৰকমে এবেলি মুখেৰে শব্দ কৰি মাথোন আকৌ কোঁচ মোচ খাই গ'ল। নিমিষতে তাইৰ গাটো ঠেৰেঙ্গা হৈ কলা পৰিল। তাৰ পিছত ৰক্তৰ প্লাৱনে মজিয়া উটাই নিলে। তেজ তেজ!

চাৰিওফালে অকল তেজৰ ডোঙাডুঙি দেখি মোৰ চক্ষু স্থিৰ হৈ গল। তেতিয়াহে বুজিলোঁ যে তাইৰ লগত আৰু এটি নিৰ্দ্দোষী প্ৰাণীৰ মই বধ ললোঁ।

বোধকৰোঁ নিৰ্দ্দোষী বুলিয়েই মোৰ ওপৰত তাইৰ ইমান আক্ৰোশ। কিয়নো ঘৈনীয়ে যথেষ্ট শান্ত ভাৱে তাইৰ মৰণক স্বামীৰ দান বুলি হাঁহিমুখে আকোৱালি লৈছিল। সিদিনাৰ পৰা আজিলৈকে আনকি সপোনতো আহি তাই মোৰ একদণ্ডৰ কাৰণেও টোপনিত ব্যাঘাত জন্মোৱা নাই। কিন্তু তাই, সেই সাতমহীয়া গৰ্ভৰ এখুদ মান ছোৱালীজনীৰ, মোৰ ওপৰত কি ক্ৰোধ! মৃত্যুৰ এক মুহূৰ্ত্ত আগেয়ে মাথোন আহি তাই মোৰ মুখখন চিৰদিনৰ কাৰণে চিনি লৈ গ'ল, সেই ৰক্তৰ প্লাৱনৰ মাজত ক্ৰোধপূৰ্ণ অকণমান শেঁতা তাইৰ মুখখনৰ বিকৃত ভঙ্গীবোৰ এতিয়াও মোৰ চকুৰ আগত ভাহি আছে। কি কুমুহূৰ্ত্তত, কব নোৱাৰোঁ, এবেলি তাইৰ মুখলৈ চাই দেখিছিলোঁ কপালত এটা প্ৰকাণ্ড কলা দাগ। সেয়ে মোৰ শেষত কাল হৈ সকলোতে দেখা দিলে। যলৈকেই পলাই যাওঁ, যতে বাটত এজনী ছোৱালী দেখোঁ, তাতে মোৰ ভয় হয় কৰবাত যেন তাইৰ কপালৰ সেই ক'লা দাগটো দেখিম। কিয় জানোঁ কব নোৱাৰো মোৰ দৃঢ় ধাৰণা হৈছিল, তাই যেন সিদিনা মৰিগৈ আকৌ কৰৱাত নিশ্চয় লুকাই জনম লব আৰু য'তে থাকে তাৰ পৰাই ঘোৰ প্ৰতিশোধ লবলৈ খেদি ফুৰিব। ই কেৱল মোৰ ভ্ৰান্ত ধাৰণাই নহয়। এবেলি নহয়, দুবেলি তাইৰে সৈতে মোৰ ভেটা-ভেটি হৈছে, দুয়োবেলি তাই মোৰ প্ৰাণ লবলৈ চেষ্টা কৰিছে, কিন্তু পৰা নাই।"

ক্ষন্তেক জিৰাই শুকান ডিঙিটো জিপাই লৈ আকৌ সি কবলৈ ধৰিলে।

"প্ৰথম যিদিনা তাইৰে মোৰে দেখা হয়, সিদিনা মই তেতিয়াও জেলত। ঠিক পাঁচ বছৰ ভৰি সিদিনা শেষ দিনটো উকলি গৈছে। গৰম নিশা, ৰাতি বাৰবজাৰ পিছতো মহ আৰ উৰহৰ কামোৰত মোৰ টোপনি অহা নাই। বাহিৰত ৱাৰ্ডাৰৰ জোতাৰ আৰু বন্দুকৰ শব্দ লেখি লেখি এটা এটাকৈ শুনি আছোঁ। এনেতে তিৰোতাৰ ৱাৰ্ডৰ পিনৰ পৰা নতুনকৈ ওপোজা কেচুৱা এটাৰ প্ৰথম চিঞৰ আহি মোৰ কাণত পৰিল। নিশাৰ জেলৰ নিস্তব্ধতাৰ মাজত সেই শিশুৰ কৰ্কশ ক্ৰন্দনে মোৰ প্ৰাণত কিবা অদ্ভুত এটা বিভীষিকাৰ কম্পন আনি দিলে। মোৰ অনুমান হল মোৰ যেন কিবা বৰ ডাঙৰ এটা বিপদ ঘটিবলৈ ওলাইছে। ৱাৰ্ডাৰক উত্তেজিত হৈ সুধিলোঁ, 'ৱাৰ্ডাৰ, সেইটো কিহৰ চিঞৰ।" ৱাৰ্ডাৰে টোপনিৰ জালত লাহেকৈ উত্তৰ দিলে,—"আজি ৰাতি পুৱা ওপজা আমাৰ কয়দী এজনীৰ কেচুৱা ছোৱালী এটাৰ।" মোৰ যেন ডিঙিত আহি কোনোবাই খামোচ মাৰি ধৰিলে। অতিকষ্টে ৱাৰ্ডাৰক সুধিলোঁ, "ৱাৰ্ডাৰ কেচুৱাটোৰ কপালত এটা কিবা দাগ আছে?" সাধাৰণ ভাৱে ৱাৰ্ডাৰে উত্তৰ দিলে, "হয়, কপালৰ মাজতে অদ্ভুত এটা ডাঙৰ ক'লা দাগ আছে।" কথাষাৰ শুনাৰ লগে লগে পৃথিবীত যেন মহা প্ৰলয়ৰ হুহুঙ্কাৰ এটা বাজি উঠিল। জেলৰ মজিয়া, বেৰ, ছিলিঙ, একেবাৰে কেঁচা মাটিৰ বস্তুৰ দৰে ঠক্‌ঠকাই সঁচাকৈয়ে ভূমিকম্পত কঁপিবলৈ ধৰিলে। নিশাৰ গগণ চাৰিওফালে বেৰেকৰ পৰা কয়েদীবোৰৰ আৰ্ত্তনাদ শুনা গ'ল। চিঞৰি কলোঁ, "ৱাৰ্ডৰ ৱাৰ্ডৰ, দুৱাৰ খুলি দিয়া, ভীষণ ভূমিকম্প ছিলিঙ ভাঙি আহি মূৰত পৰে।" ৱাৰ্ডাৰে নিষ্ঠুৰ ভাবে বাহিৰৰ পৰা উত্তৰ দিলে, "হুকুম নহলে খুলি দিব নোৱাৰোঁ, ভয় হলে মূৰত গাৰুটো লৈ শুই থাকিব পাৰা।" ৱাৰ্ডাৰে দুৱাৰ খুলি দিবলৈ কষ্ট কৰিব নালাগিল। সকলোৰে আগেয়ে মোৰ কোঠালিৰ পৰা বেৰৰ গাঁথনি সুলকি গল। প্ৰাণটোলৈ আহি জেলৰ বাহিৰ হৈ পলাবলৈ ধৰিলোঁ—মুক্ত। সিবেলি আৰু তাই মোক ঢুকি নাপালে।"

"তাৰ পিছত ঠিক পাঁচ বছৰ পিছৰ কথা। হৰিদ্বাৰৰ ওচৰত পাহাৰীয়া নৈ এখনৰ ঘাটৰ মই ঘাটুৱৈ। তিনি বছৰে তাতে মই লুকাই আছোঁ, কোনেও মোৰ সন্ধেদ পোৱা নাই। এদিন সন্ধীয়া শেষ ভৰালৈ মই প্ৰায় নাও মেলি দিওঁ দিওঁ কৰিছোঁ। এনেতে পাছৰ পৰা যাত্ৰী দুজনৰ চিঞৰ আহি কাণত পৰিল। সকলোৱে নাও ৰাখিবলৈ মোক টানি অনুৰোধ কৰিলে। সাঁজ গঢ়ি

নহা দেখি ময়ো যাত্ৰীৰ আশাত নাও ৰাখি পেলালোঁ। টোপোলা-টুপলি লৈ বিধবা বুঢ়ী দুজনী আহি মোৰ নাওত উঠিলে। লগত দেখিলোঁ এজনী দহ কি এঘাৰ বছৰীয়া সৰু ছোৱালী। নৈৰ মাজলৈ গৈ হাতৰ বঠা পাত মোৰ অজ্ঞাতসাৰে কঁপি উঠিল। হঠাতে এবেলি চাই দেখিলো ছোৱালীজনীৰ কপালত সেই কলা দাগটো স্পষ্ট হৈ পৰি আছে। সোঁতৰ খুন্দাত পৰি নাওখন অচল হৈ বাৰে বাৰে পাক খাবলৈ ধৰিলে। হাতৰ বঠা এক মুহূৰ্ত্ততে পানীৰ সোঁতত নোহোৱা হল। প্ৰাণ ৰক্ষাৰ কোনো উপাই নেদিখি, জপিয়াই পানীত পৰি বুৰ মাৰিলোঁ। যাত্ৰীৰ দলে সকলোৱে সলিল সমাধি লাভ কৰিলে। সাৰি আহিলোঁ অকলে মই।"

বক্তাৰ মুখ বিবৰ্ণ পাণ্ডুৰ হৈ গ'ল। মুখৰ তীব্ৰ যন্ত্ৰণাৰ ৰেখা কিছু পৰিমাণে কুমলি আহিল। লাহে লাহে ক্লান্তিত ভাগৰি পৰাৰ দৰে তাৰ কণ্ঠস্বৰ ক্ষীণ হৈ আহিবলৈ ধৰিলে, "ইমান কষ্ট কৰিতো আৰু সদায় কোনোৱে বাচি থাকিব নোৱাৰে। ইমান জীৱন্ত আতঙ্ক এটি লৈ সদায় মৰণৰ আগে আগে লৰি ফুৰা অসম্ভৱ। সেই সিদিনা নিজৰ ৰক্ষাৰ কাৰণে আঠোটি যাত্ৰীৰ প্ৰাণ নাশ কৰি আহিছো। বোধকৰোঁ, ইবেলি বিধাতাই নিজে তাইৰ লগ লৈ মোক পাছে পাছে খেদি ফুৰিব লাগিছে। সেয়েহে আনবাৰতকৈ ইবেলি অলপ পলম হৈ গৈছে। কিয়নো তাই মৰিবৰ আজি পূৰা ষোল বছৰ ভৰি গল।"

কথা শেষ কৰি সি প্ৰথম বাৰলৈ আমাৰ দুয়োৰে চকুৰ ওপৰেদি তাৰ ৰঙা চকু দুটা এবেলি বুলাই নিলে। তাৰ পিছ মুহূৰ্ত্ততে গাভৰুৰ ফালে চাই, ভীষণ আতঙ্ক "প্ৰতিশোধ, প্ৰতিশোধ," বুলি টেটু-ফলা এটা ডাঙৰ চিঞৰ মাৰি বলিয়াৰ দৰে উঠি ভীষণ লৰ মাৰিলে। আৰু চলন্ত ট্ৰেইনৰ বন্ধ দুৱাৰত সশব্দে খুন্দা খাই মজিয়াত আহি উফৰি পৰিল। আচৰিত হৈ চাই দেখিলোঁ যে বহু পূৰ্ব্বে দেখা গাভৰুৰ কপালৰ সেই জ্যোতিৰ চিনটোৰ ঠাইত এটা ক্ষীণ ক'লা দীঘলীয়া আঁক পৰি আছে।

তাৰ গগন বিদৰা সেই নিনাদত চমকি উঠি গাভৰুৱে সাৰ পাই খোটালিৰ ভিতৰত ঘটা সেই অদ্ভুত ঘটনাৰ ফালে অবাক্ হৈ চাই ৰল। তললৈ চাই দেখিলোঁ যে মজিয়া খন তাৰ মুখৰ তেজেৰে তেতিয়া একেবাৰে ৰাঙলী হৈ গৈছে।

* * *

ঘগ্ৰাপাৰ ষ্টেশ্যনত আহি গাড়ী থামিল। প্লেট্‌ফৰ্মত নামি গাৰ্ডক সকলো কথা খুলি কওঁতেই, আমাৰ তিনিওৰে কাৰণে একে লগে এটা ছেকেণ্ড ক্লাছৰ কোঠালি মুকলি কৰি দিলে। নতুন খোটালিত আমাক তুলি দি অভিবাদন কৰি গুছি যাওঁতে, এঙলো গাৰ্ডে দাঁতৰ মাজত ছিগাৰটো কামুৰি ধৰি কলে,—"আজিৰ ৰাতিটো বৰ ৰহস্য জনক কোনো সন্দেহ নাই। এক ঘণ্টাৰ ভিতৰতে দুটা পেছেঞ্জাৰৰ মৃত্যু। আৰু গোটেই গাৰী খনো এই মাত্ৰ এখন মহৰ গাৰীৰ ওপৰেদি যাওঁতে কোনো ৰকমে বাগৰ নোখোৱাকৈ ঈশ্বৰৰ ইচ্ছাত সাৰি গৈছে। এইখিনি গৈ পাৰ্ব্বতীপুৰ কোনো প্ৰকাৰে পালেহে আজিৰ কাৰণে ৰক্ষা বুলি কব লাগিব।"

গল্পৰ ইচ্ছা থাকিলেও নতুন খোটালিত উঠি তিনিওৰে মাজত গল্প জমি নুঠিল। সেই অদ্ভুত যাত্ৰী জনৰ মৃত্যুৰ ছায়াই আমাৰ সকলো ৰোমান্সৰ ওপৰত এখনি ক'লা ডাঠ আবৰণ আঁকি দি গ'ল। পাৰ্ব্বতী পুৰত ডাইনিং কাৰত' উঠি মাত্ৰ কথাই কথাই সেই শ্বিলঙৰ গাভৰুৰ পৰা জানিব পাৰিছিলোঁ যে তেওঁৰ নাম মিছ ডালিলা প্ৰিম্‌ৰোজ খাঙলা, কলিকতাৰ দাফৰিণত পঢ়া প্ৰথম বছৰৰ ছাত্ৰী। মিছ ডালিলাৰ কপালৰ সেই ক'লা দাগটো হেনো জন্মৰ পৰাই ঠিক তেনেকৈয়ে আছে। কিন্তু কেলৈ যে পোনতে সেইটো আমি দেখা নাছিলোঁ, আৰু হঠাতে এবেলি তেনেকুৱা উজ্জ্বল দেখিছিলো, তাৰ কোনো কাৰণ বিচাৰি নাপালোঁ। বোধ কৰোঁ আমাৰ ৰেলৰ ৰোমান্সৰ ভিতৰত এইটোৱেই আটাইত কৈ ডাঙৰ আচৰিত কথা।

———

কলঙ্ পাৰত

কবিতা— —শ্ৰীযুত দেৱকান্ত বৰুৱা

আজি এই কলঙৰ নিজান পাৰত বহি কত কি যে
দেখিছোঁ সপোন ;
সিপাৰৰ এজাৰৰ ৰূপৰ অনল শিখা সোণাৰুৰ
সোণালী যৌৱন,

লাগিছে আপোন মোৰ উটি অহা মেটেকাৰ বনৰীয়া
বিহফুল পাহি,
চকুলোৰো সিপাৰৰ দুখৰ কাহিনী কিবা সিও মোক
কয় হাঁহি হাঁহি.....

ভাবিছোঁ অকলে কোন দিনা কোন ম্লান সন্ধিয়া পৰত
মাগিম বিদায়,
বিনন্দীয়া পৃথিবীৰ নিতউ নতুন শোভা লম বাৰু
শেষবাৰ চাই !

ভাবিছো নীৰৱে বহি মোৰ দৰে দুৰ্ভগীয়া ব্যথাহত
কোন সি তৰুণ,
আকুল গীতেৰে তাৰ কলঙৰ দুটিপাৰ কৰিবগল
কোমল কৰুণ !

কোনেনো জানিলে তাক ? নীৰৱে লেৰেলি গল ব্যৰ্থতাৰ
তুচ্ছ ইতিহাস,
কোনেনো শুনিলে তাক ? কবিতাৰ পূৰ্ণতাৰে নোৱাৰিলে
কৰিব প্ৰকাশ

বুকুৰ বেদনা যি। ময়ো যাম, সময় সোঁতত উটি
আৰু কত যাব ;
আহিব নতুন কবি কলঙ পাৰতে বহি যৌৱনৰ
আৰতি শুনাব।

হয়তো গানত তাৰ কান্দিব বাৰিষা মেঘ চকুলোৰ
বৰষি, অমৃত ;
হয়তো ছন্দত তাৰ ধৰা দিব ৰুদ্ধকণ্ঠ শতাব্দীৰ
উদ্দাম সঙ্গীত !

কত ডেকা গাভৰুৰ নাচিব তেজত সেই আনন্দৰ
চঞ্চল মূৰ্চ্ছনা,
কত যুতি মালতীয়ে নীৰৱে সৰাব সেই তৰুণৰ
ফুলাম অৰ্চ্চনা !

বুৰঞ্জীয়ে দিব তাক জীৱনৰ জয়মাল্য, সভ্যতাই
কৰিব বৰণ,
নৱ যুগ ৰবি বুলি ; বিস্মৃতি-সাগৰ বিহ হয়তো সি
কৰিব হৰণ।

আৰু আমি ? বীণত নুঠিল যাৰ বাজি হায় অন্তৰৰ
পৰিপূৰ্ণ বাণী,
প্ৰেমৰ পদুম ফুলি উঠা নাই ভেদি যাৰ হৃদয়ৰ
ব্যথা পঙ্ক গ্লানি,

আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ
মিছা ইতিহাসে,
আমাক পাহৰি যাব প্ৰভাতৰ পুৱেৰুণে, সন্ধিয়াৰ
সুন্দৰ আকাশে !

যদিও ই কলঙৰে নিভৃত পাৰত বহি ইন্দ্ৰধনু
বিৰচি ছন্দৰ,
আমিও ৰঙাই গুলোঁ পুৱাৰ অৰুণ ৰাগ, গধূলিৰ
হেঙুলী ডাৱৰ !

———

বৈজ্ঞানিক জগত

ডাঃ ৰেণ্টশ্লাৰৰ আবিষ্কাৰ

ৱেষ্টিংহাউচ লেবৰেটৰীৰ ডাঃ ৰেণ্টশ্লাৰে চোডিয়াম কেথোদৰ' সলনি 'জিঙ্ক কেথোদ' ব্যৱহাৰ কৰি ৰঙা আলোক ওলোৱা এবিধ লেম্প উলিয়াইছে। এই ৰঙা লেম্পৰ লগত সাধাৰণ হালদীয়া, সেউজীয়া আৰু নীলা ৰঙৰ লেম্প লগলগাই ব্যৱহাৰ কৰি অতি উজ্জ্বল 'ডেলাইট' উদ্ভাৱন কৰিব পৰা যায়।



ডাঃ ৰেণ্টশ্লাৰ আৰু তেওঁৰ 'জিঙ্ক কেথোড' লেম্প

পৃথিবীৰ ৰেকৰ্ড ভঙা মটৰগাৰী

এম, ষ্টেপ নামৰ এজন ফ্ৰান্সৰ ইঞ্জিনিয়াৰে পৃথিবীৰ ৰেকৰ্ড ভাঙিব পৰা এখন মটৰগাৰী সাজিছে। তেওঁৰ হিচাব মতে এই গাৰীখনে ঘণ্টাত ৩৬০ মাইলকৈ যাব পাৰিব। এই গাৰীখন দীঘল ৩০ফুট, গধুৰ ২½ টন আ ৮০০ অশ্ব শক্তি সম্পন্ন



পৃথিবীৰ ৰেকৰ্ড ভাঙিবলৈ সজা মটৰগাৰী

অভিনৱ 'এক্সপেৰিমেণ্ট'

বৈজ্ঞানিক তথ্য উলিয়াবৰ বাবে মানুহে নানা ভা



এজন মানুহক দৌৰিব দি তাৰ নিশ্বাসত ওলোৱা বতাহ গোটাই লোৱা হৈছে।

পৰীক্ষা আৰু এক্সপেৰিমেণ্ট কৰা দেখিবলৈ পোৱা যায়। এজন জাৰ্ম্মাণ বৈজ্ঞানিকে অতিপাত পৰিশ্ৰমৰ ফলত মানুহৰ শৰীৰত কিমান ক্ষয় হয় (metabolism) তাক নিৰ্ণয় কৰিবলৈ এজন মানুহক দৌৰিবলৈ দি তেওঁৰ নিশ্বাসত ওলোৱা বতাহ খিনি গোটাই লৈছিল।

পেৰিয়ডো মিটাৰ

ডাঃ চাৰ্লচ, জি, এবো নামৰ বৈজ্ঞানিক এজনে 'পিৰিয়ডো মিটাৰ' (Periodometer) নামে এবিধ যন্ত্ৰ



পিৰিয়ডো মিটাৰ

উলিয়াইছে। সেই যন্ত্ৰৰ সহায়ত সূৰ্য্যৰ গতি বিধি লক্ষ্য কৰি ভবিষ্যতে কেনে বতৰ হব তাক আগ ধৰি কব পৰা যায়।

চিকিৎসা আৰু বিজ্ঞান

বৈজ্ঞানিক সকলৰ গৱেষণা আৰু চেষ্টাৰ ফলত নানা দুৰাৰোগ্য বেমাৰ আদিও বৰ্ত্তমান কালত অভিনৱ চিকিৎসাৰে ভাল কৰিব পৰা উপায় উদ্ভাৱন হৈছে। যি বেমাৰৰ কোনো চিকিৎসা নাই বুলি হয়তো কিছুদিন আগতে ভবা হৈছিল বিজ্ঞানে সেই সন্দেহ আৰু



কেৰা চকুৱাক চিকিৎসা কৰা যন্ত্ৰ-পাতি

অভাৱ সময়ত দূৰ কৰি গোটেই মানৱ জাতিৰ অশেষ উপকাৰ সাধন কৰিছে, জীৱনৰ সকলো আশা এৰি দি হতাশ হোৱা ৰোগীকো বৈজ্ঞানিকৰ চেষ্টাই মৃত্যুৰ হাতৰ পৰা কেতিয়াবা ফিৰাই আনিছে। অকল দৰৱ-জাতিয়ে নহয় নানা যন্ত্ৰ-পাতি আৰু



বাহিৰৰ 'টিছু'ত (Tissues) কোনো আঘাত নিদিয়াকৈ ভিতৰত উত্তাপ দিব পৰা যন্ত্ৰ।

অস্ত্ৰ-শস্ত্ৰ বৈজ্ঞানিক সকলৰ চিকিৎসা জগতত বিশেষ উল্লেখ যোগ্য দান। বৰ্ত্তমানে কিছুমান অভিনৱ

যন্ত্ৰৰ আৱিষ্কাৰৰ ফলত কেইটিমান ৰোগৰ পৰা সমূলি আৰোগ্য লাভ নহলেও সেই ৰোগ জনিত অসুবিধাৰ পৰা কথা কব পাৰে আৰু কেৰা চকুৱাই পোন ভাবে দেখিব পৰা হৈছে। তাৰ উপৰিও এক্সৰে, ৰেডিয়ম চিকিৎসা



এই যন্ত্ৰটিৰ সহায়ত কলাই কাণৰ পাছ ফালে ললে শুনিব পায় আৰু সেই দৰে মুখৰ আগত ধৰিলে বোবাই কথা কব পাৰে।



'ইলেক্‌ট্ৰিক শ্বক' নলগাকৈ সহজ উপায়ে এক্স ৰে' কৰিব পৰা যন্ত্ৰ-পাতি

হাত সাৰিব পৰা গৈছে। তাৰ ভিতৰত কলা, বোবা, কেঁৰা চকুৱা আদি ৰোগীৰ বাবে আজিকালি অভিনৱ যন্ত্ৰ ওলাইছে, যাৰ সহায়ত কলাই শুনিব পায়, বোবাই আৰু আন কিছুমান আন্তৰিক ৰোগ নিৰ্ণয় আৰু নিবাৰণ কৰিব পৰা উপায় চিকিৎসা বিজ্ঞানৰ অমূল্য দান।

বিবিধ

পৃথিৱীৰ দেইটিমান খেল ধেমালিৰ ৰেকৰ্ড

ক্ৰীকেট :—আটাইতকৈ বেছি ইনিংচ—১১০৭, ভিক্টৰীয়া ৮৬নিউ চাউথ ৱেলচ—১৯২৬।

ব্যক্তিগত স্কোৰ—৪৫২ (not out)—ব্ৰাড মেন, ১৯২৯; ফাষ্ট উইকেট পাটনাৰচিপ—৫৫৫, চাটক্লিফ আৰু হোম্‌চ্—১৯৩২।

ওখ জাপ—মতা ৬ফুঃ ৯১/৮ ইঃ ডবলিউ মাৰ্টি (U. S. A.) ১৯৩৪; তিৰোতা—৫ফুঃ ৫১/৪ ইঃ জে চিলি (U.S.A.)—১৯৩২।

দীঘল জাপ—মতা—২৬ফুঃ ২১/৮ ইঃ—চি, নাম্বু (জাপান) ১৯৩১; তিৰোতা ১৯ফুঃ ১১১/১০ ইঃ—কে, হিটমী (জাপান) ১৯২৮।

পৃথিৱীৰ কেইখন মান মহানগৰীৰ জনসংখ্যা

লণ্ডন (১৯৩১ চেন্সাচ)	৮,২০২,	৮১৮
নিউয়ৰ্ক	৬,৯৩০,	৪৪৫
টকীও	৫,৪৮৬,	২০০
বাৰ্লীন	৪,২১২,	০০০
চিকাগো	৩,৩৭৫,	৩২৯
মস্কো	৩,৫৭২	০০০
পেৰিচ	২,৮৯১,	০২০
বুৱেনচ এয়াৰিচ	২,২১৪,	৭০২
ফিলা ডেলফিয়া	১,৯৫০,	৯৬১
ভিয়েনা	১,৮৬৫,	৭৮০

পৃথিৱীৰ আটাইতকৈ ওখ ঘৰ

এম্পায়াৰ ষ্টেট—নিউয়ৰ্ক	১০৪৬	ফুঃ
ফ্ৰেজপাৰ "	১০৩০	"
ইফেল টাৱাৰ—পেৰিচ	৯৮৪	"
বেঙ্ক অৱ মেন হটন—নিউয়ৰ্ক	৯২৫	"
উল ৱাৰ্থ	৭৯২	"

মেট্ৰেপলিটান লাইফ্	৭০০	"
পিৰা মিদ অৱ চিওপচ্ (ইজিপ্ট)	৪৫০	"

পৃথিৱীৰ আটাইতকৈ ডাঙৰ দ্বীপ

গ্ৰীন লেণ্ড	৮২৭,	৩০০	বৰ্গমাইল
নিউ গিনি	৩৩০,	০০০	"
বৰ্ণি ও	২০৯,	০০০	"
বাফিন লেণ্ড	২৩৭,	০০০	"
মাডা গাস্কাৰ	২২৮,	০০০	"
সুমাত্ৰা	১৬০,	০০০	"
গ্ৰেঃ ব্ৰিটেন	৮৮,	৭৪৫	"

[আষ্ট্ৰেলীয়া ভৌগলিক হিচাপে আটাইতকৈ ডাঙৰ দ্বীপ বুলি ধৰিব পাৰি—২,৯৭৪, ৫৮১ বৰ্গমাইল। কিন্তু অষ্ট্ৰেলীয়াক মহাদেশ বুলিহে ধৰা হয়]

আটাইতকৈ ডাঙৰ জলপ্ৰপাত

চাদাৰ লেণ্ড (নিউ জিলেণ্ড)	১৯০৪ ফুঃ ওখৰ পৰা পৰিছে	
বিবন (জোচেমাইট পাৰ্ক, কেলি ফোৰ্ণিয়া)	১৬১২	"
কালাম্বো (দক্ষিণ আফ্ৰিকা)	১৪৩০	"
গাৰ বাৰ্ণি (ফ্ৰান্স)	১৩৮৫	"
টকাক' (ব্ৰিঃ কলম্বিয়া)	১২০০	"

য়ুৰোপৰ বৰ্ত্তমান ৰজা সকল

দেশ	ৰজা	ৰাজপাটত উঠা চন
আলবানিয়া	ৰজা জগু (I)	১৯২৮
বেলজিয়াম	ৰজা লিও পণ্ড (III)	১৯৩৪
ব্ৰিটেন	ৰজা পঞ্চম জৰ্জ্জ	১৯১০
বুলগেৰিয়া	ৰজা বৰিছ	১৯১৮
ডেন মাৰ্ক	ৰজা ক্ৰিষ্টিয়ান	১৯১২
ইটালী	ভিক্টৰ ইমানুৱেল	১৯০০
জুগোশ্লাভিয়া	পিটাৰ II	১৯৩৪
লিষ্টেনষ্টিন	প্ৰিন্স ফ্ৰান্সিচ	১৯২৯
লুক্সেম বুৰ্গ	গ্ৰেণ্ডডাচেচ্ছ চালোটী	১৯১৯
মনাকো	প্ৰিন্স লুই II	১৯২২
নিডাৰ লেণ্ড	ৰাণী উইলহেলমিনা	১৮৯৯
নৰৱে	ৰজা হাকন VII	১৯০৫
ৰুমানিয়া	ৰজা কেৰল	১৯৩০
চুইডেন	ৰজা গুচটাভাছ	১৯০৭

য়ুৰোপৰ বৰ্ত্তমান ৰাষ্ট্ৰপতি সকল

দেশ	ৰাষ্ট্ৰপতি	নিৰ্বাচনৰ চন
অষ্ট্ৰিয়া	এম, নিকলাচ	১৯২৯
ফ্ৰান্স	এম, লিব্ৰান	১৯৩২
পৰ্টুগাল	জেনাৰেল কাৰ্ম্মোনা	১৯২৬
চুইজাৰ লেণ্ড	ডাঃ এম, পিলে গোলাজ	১৯৩৪
জেকোশ্লোভাকিয়া	ডাঃ মচাৰিক	১৯২০
ফিন লেণ্ড	এম, স্বিন হুফ ভাদ	১৯৩১
জাৰ্ম্মেনী	হিটলাৰ	১৯৩৪
জৰ্জ্জীয়া	এম, ভি, এম, মলোটভ	১৯৩৩
গ্ৰীচ	এম জেমিছ	১৯২৯
ইষ্টোনিয়া	এম, পাটচ	১৯৩২
লাট ভিয়া	এম, কাইভিয়াছ	১৯৩৩
লিঠুনীয়া	এম, স্মেটোনা	১৯২৬
পোলাণ্ড	এম, মচিকি	১৯২৬
স্পেইন	চিনৰ জেমোৰা	১৯৩১
তুৰ্কী	মুস্তাফা কামাল পাছা	

পৃথিৱীৰ দেশ সমূহৰ বৰ্ত্তমান প্ৰধান মন্ত্ৰী সকল

দেশ	প্ৰঃ মন্ত্ৰীৰ নাম
আলবানিয়া	এম, কোটা
অষ্ট্ৰেলীয়া	ৰাঃ অঃ জে লায়নচ্
অষ্ট্ৰিয়া	ডাঃ চুচনিগ
বেভেৰিয়া	জেনাৰেল এফ ভন এপ
বেলজিয়াম	কাউণ্ট ডি ব্ৰোক ভিল
বুলগেৰিয়া	এম, জৰ্জ্জ চিফ্
কানাডা	ৰাঃ অঃ আৰ, বি বেনে
জেকোশ্লোভাকিয়া	এম, মেলি, পিটাৰ
ডেন মাৰ্ক	এম, ষ্টনিং
ইজিপ্ট	জেহিয়া পাছা
ইষ্টোনিয়া	এম, পাটচ
ফ্ৰান্স	এম, ডোমাৰ্গ
জাৰ্ম্মেনী	হিটলাৰ
গ্ৰেঃ ব্ৰিটেন	ৰাঃ অঃ ৰাম জে মেকডোনাল্ড
গ্ৰীচ	এম চালভেৰিচ
হলেণ্ড	ডাঃ কলিজন্
হাঙ্গাৰী	জেনাৰেল গম্বোছ
ইটালী	মুছোলিনী
জাপান	এডমিৰাল ওকাডা
জুগো শ্লেভিয়া	এম ইউজুমো ভিটাচ
লাটভিয়া	এম, উলমানিছ
লিঠুনীয়া	এম, স্মেটোনা
নিউ ফাউণ্ড লেণ্ড	মিঃ ৰিচাৰ্ড অলডাৰ ডিচ
নিউজিলাণ্ড	ৰাঃ অঃ জৰ্জ্জ ফৰিছ
নৰৱে	এম মন উইঙ্কেল
পোলাণ্ড	এম জেড্ ৰজে জুইক
পৰ্টুগাল	ডাঃ ও চালাজাৰ
ৰোডেছিয়া	জি, এম হাগিনচ
ৰুমানিয়া	এম, টাটা ৰেচকু
চাউথ আফ্ৰিকা	জেনাৰেল হাৰ্টজগ
স্পেইন	চিনৰ লেৰক্স
চুইডেন	এম, হেন চন
তুৰ্কী	ইচমেট পাছা

কাৰাগাৰ

গল্প—

—শ্ৰীযুত কৃষ্ণ ভুঞা

যিদিনা "বন্দেমাতৰম" কে জীৱনৰ মূল মন্ত্ৰ বুলি ধৰি লৈ সুশীলে পয়ত্ৰিশটকীয়া কেৰাণী কামটো এৰি পেলালে, সেইদিনা সি ভবা নাছিল তাৰ শেষ পৰিণাম কি ?

ৰাতি দশটা মান বাজিছে। অৰুণাই টুটুকনক শুৱাই আলিবাটৰ ফালে থকা খিৰীকি খন খুলি চালে, সুশীল আহিছেনে নাই।

চাউল নাই, তেল নাই, অৰুণাই ভাবিলে সুশীল আহি বজাৰ কৰি দিব. তাই ভাত ৰান্ধিব আজি ৰাতিপুৱাও ভাত নাই, টুটুকনহঁতে কি খাব।

ক'তা ইমান পৰেও নাহিল দেখোন। খিৰিকী খনৰ পৰা মুখখন লাহে কৈ ঘূৰাই অৰুণাই বিছনাত শুই থকা লৰাটোৰ ফালে চালে। তাৰ পিছত আকৌ বাহিৰলৈ চালে, বাহিৰত আন্ধাৰে তাইৰ বুকুভগা হুমুনিয়াটো সেই গভীৰ আন্ধাৰত মিলি যোৱা কোনেও কব নোৱাৰিলে।

"বৌ বৌ ভোক লাগিটে" টুটুকনে সাৰ পাই কান্দিব ধৰিলে। তাৰ ওচৰলৈ গৈ অৰুণাই তাক বুকুৰ মাজত সাবটি ধৰি কলে "দেউতাৰে মিঠাই আনিব থাবা নেকান্দিবা দেই পোনাটি। কথাষাৰৰ লগে লগে তাইৰ মনত পৰিল সুশীলৰ দিনৰ শেষৰ সেই ক্লান্ত অৱসন্ন মুখখন।

তেওঁনো কি কৰিব, ইমান কষ্ট ইমান চিন্তা তেওঁৰ, অৰুণাই ভাবে তাইৰ বুকুখন দুখত ভাগি যাব খোজে।

বাহিৰত কোনোবা অহাৰ গম পাই অৰুণাই বুজিলে সুশীল আহিছে।

'ইঃ ইমান ৰাতিখন ওলাইছেহি, আনিছে বা কিটো চাগৈ। লৰাটো ভোকত লাল কাল হল।' অৰুণাই মনতে ভাবিলে। ক্ষন্তেক পৰলৈ গিৰীয়েকৰ ওপৰত তাইৰ অভিমান হল। নাৰীয়ে পুৰুষৰ ওচৰত ভাবে যে পুৰুষৰ সৃষ্টি নাৰীৰ সকলো দায়ীত্বৰ ভাৰ লবলৈ। সিহঁতৰ সকলো দাবী পূৰ কৰিবলৈ। তাকে কৰিবলৈ যিখিনিত পুৰুষ অসমৰ্থ সেই খিনিতে নাৰীৰ দুৰ্ব্বলতা সেইখিনিত সিহঁতৰ পুৰুষৰ ওপৰত অভিমান ৰোষ।

"উঃ বুলি কাপোৰৰ টোপোলাটো মাটিত ধপ কৰে পেলাই সুশীলে ফুটা ওলোৱা বেতৰ চকীখনত বহি পৰিল। তাৰ দুগালেদি বৈ পৰা ঘামৰ টোপাল বিলাক আঙ্গুলিৰে টুকি পেলালে। তাৰ পাছফালে এখন হাত থৈ এখন হাতত বিছনিখন লৈ অৰুণাই সুশীলৰ মুখৰ ফালে চালে। চকুৱে চকুৱে পৰিল। সুশীলৰ অবশ্ৰান্ত প্ৰাণটো নাচি উঠিল। কিছুপৰলৈ সংসাৰৰ দৈন্য যন্ত্ৰণাৰ কথা সি পাহৰি গল। ঈশ্বৰে দুখৰ মাজতো মানুহক কিবা এটা দিয়ে।

টুটুকনে "দেতা মিঠাই আনিছ" বুলি কান্দিব ধৰিলে। বৰ্ত্তমান বাস্তৱতাৰ বুকুভৰা হাঁহাকাৰ করুণ উচ্ছ্বাসে তাক আকৌ তাৰ চাৰিও ফালে ঘেৰি থকা বিশ্ব খনৰ মাজলৈ টানি আনিলে।

মাটিত পৰি থকা কাপোৰৰ টোপোলাটো সি ভৰিৰে ঠেলি দি কলে "খাদৰ-খাদৰ দেশী কোনে পিন্ধে ? কোনে বা কিনেও, দাম বেছি। দিনো হেনো কম যায় আৰু কত কি! আজি মাত্ৰ ছয় আনা পইছা পাই আনিছোঁ।"

দুৰ্গা পূজা ওচৰ চাপিছে, দুপৰীয়া তুলা ওলোৱা ফটা তুলি খনৰ ওপৰত পাটি এটা পাৰি সুশীলে ভাগৰ মাৰিছিল। টুটুকন লৰি আহি তাৰ বুকুৰ মাজত মুখখন লুকাই কলে—"দেতা মোক ৰঙ্গা চোলা এটা আনি দিয়া—পূজালৈ যাম। বৌ যাব।"

"দিম বাৰু, এতিয়া অকণমান শোৱাহি আহা।" তাৰ কাষতে পৰি টুটুকনৰ টোপনি আহিল।

"এটা ৰঙ্গা চোলা—সেয়ে তাৰ আশা।" সুপ্ত লৰাটোৰ মূৰত হাতখন ফুৰাই সি ভাবিলে।

"হয়নে হেৰি আইদেউৰ মাকে আজি সস্তাতে বৰ ধুনীয়া পলাশবাৰীয়া মুগাৰ ৰিহা মেখেলা এযোৰ লৈছে। মোকো এযোৰ লৈ দিবনে ?" তামোলৰ বটাটো লৈ অৰুণা সুশীলৰ ওচৰত বহিল হি।

অৰুণাই জানে তাইৰ গিৰিয়েকৰ সমৰ্থ নাই, তাইক এযোৰ ৰিহা-মেখেলা লৈ দিবলৈ, তথাপি তাই খুজিলে। তেনেকুৱাই নাৰীৰ স্বভাৱ।

পলাশবাৰীৰ মুগাৰ ৰিহা মেখেলা এযোৰ, সিও যেন সৰগৰ তৰা সুশীলৰ কাৰণে। সি অৰুণাৰ মুখলৈ চালে। তাইৰ ধুনীয়া মুখখনি তাৰ চকুৰ আগত আৰু ধুনীয়া হৈ পৰিল। তাইৰ গাৰ জীৰ্ণ মলিন কাপোৰ কেইডোখৰৰ ফালে চাই সি ভাবিলে আঃ তাই তেনেকুৱা এযোৰ ৰিহা—মেখেলা পিন্ধিলে দেখিবলৈ আৰু ধুনীয়া নহবনে ?

দেশী কাপোৰৰ টোপোলাটো লৈ সি ওলাই গ'ল, পূজাৰ সময় দুই চাৰি পইছাৰ আশা কৰি। তাৰে সি কিনিব এটা ৰঙ্গা চোলা আৰু এযোৰ ৰিহা মেখেলা—তাৰ পিছত আৰু কত। সেইদিনা গধূলি যেতিয়া পাঁচসিকি পইছা লৈ সি ঘৰ সোমালহি তাৰ মনটো কিবা হৈ গ'ল। মামৰে ধৰা টিনৰ "ছুট্‌কেচটো" খুলি আগৰ পইছা কেইটা উলিয়াই লেখি চাই তাত আজিলৈকে মোটে চাৰে পাঁচ টকা ৰূপ গোট খাইছে। তাৰে সি কি কৰিব ? টুটুকণক ৰঙ্গাচোলা এটা আনি দিব—তাৰ অৰুণাক একা ? তাইৰ বস্তুটো ? অৰুণালৈ তাৰ খং উঠিল। তাৰ নিচিনা নিঃস্ব এটাৰ ঘৈনীয়েকে আকৌ দামী মুগাৰ কাপোৰহে পিন্ধে। বেজাৰ লাগিল—ভাত পানী নেখাই শুই থাকিল।

প্ৰতিমা বিসৰ্জ্জনৰ দিনা অৰুণাই যেতিয়া বহুত দিনৰ পৰা সাঁচি থোৱা পেৰাত ভৰাই থোৱা পাটৰ ৰিহা মেখেলা-যোৰ পিন্ধি প্ৰতিমা উটুৱা চাবলৈ যাবলৈ ওলায় সুশীলৰ, ভিতৰ চকু দুটাৰ আগত জিলিকি উঠিল আৰু এজনী মুগাৰ ৰিহা-মেখেলা পিন্ধা অৰুণা। সি দুয়োজনীকে ৰিজাই চালে—শোক লাগিল—কান্দিব খুজিলে—নোৱাৰিলে। তাইৰ হাত খনিত ধৰি সি কলে—"অৰুণা তোমাৰ বস্তুটো আনি দিবলৈ পইছাৰ যোগাৰ কৰিব নোৱাৰিলো।" যদি সেই সময়ত কোনোবাই তাৰ চকুযোৰ দেখিলে হেতেঁন বুজিলে হেতেঁন কি মৰ্ম্মভেদী ব্যথাৰ আভাষ ফুটি উঠিছে।

অৰুণাই মিচিক কৰে হাঁহি এটা মাৰি কলে "ভালেই হ'ল, অনাহলেও মই নিপিন্ধোঁ। আপুনিনো ক'ৰ পৰা দিব—মই জানো নেজানো—এনেয়ে কৈছিলোহে।" সি অৰুণাক তাৰ বুকুৰ মাজলৈ চপাই আনিলে।

নৈৰ ঘাটত সেইদিনা মাইকী মানুহ দেখিলেই সুশীলে মন কৰে কোনে কি পিন্ধিছে। কিমান বিভিন্নতা মানুহে মানুহে। তাতোকৈ কত নিঃস্ব এজনীয়ে ফটা কাপোৰ এখনকে টালি মাৰি পিন্ধিছে—এজনীয়ে আকৌ গোটেই গাটো সোণেৰে গিলিপ মাৰি আহিছে। সেই দিনা এটা প্ৰশ্নই তাক বৰকৈ খুন্দিয়াইছিল—মানুহ দুখীয়া হয় কি পাপৰ ফলত ?

গধূলি যেতিয়া চাউলৰ অভাৱত ভাত ৰান্ধিব নোৱাৰি অৰুণাই টুটুকণক শুৱাই কাষতে শুই থাকিল সুশীল আহি ঘৰ সোমাই বুজিলে যে সেই দিনা আৰু খোৱা নহব।

সি তাৰ শুই থকা ঘৈণীয়েক আৰু লৰাটোৰ মুখৰ ফালে চালে। তাৰ মনত ধিক্কাৰ লাগিল। যি পুৰুষ হৈয়ো ইমান অযোগ্য—সেই অনাহাৰক্লিষ্ট করুণ মুখ দুখনিত একোটি তৃপ্তিৰ হাঁহি ফুটাই তুলিব পৰাটো নিৰ্ভৰ কৰিছে তাৰ পুৰুষত্বৰ ওপৰত। তাকো কৰিবলৈ সি অসমৰ্থ। অৰুণা আৰু টুটুকন যদি তাৰ নহলহেঁতেন। তাৰ বৰ দুখ লাগিল।

কোঠাটোৰ চাৰিওফালে সি ঘূৰি চালে। দাৰিদ্ৰ্যই যেন চাৰিও ফালৰ পৰা ভীষণ মূৰ্ত্তি ধৰি তাৰ জীৱনটো মাটি কৰি পেলাব খুজিছে। জীৱনৰ উচ্চ শৃঙ্গটোৰ পৰা সি যেন লাহে লাহে তলৰ অটল অন্ধকাৰ গহ্বৰটোৰ ভিতৰলৈ খহি পৰিছে। ব্যৰ্থতাৰ মাজতে যেন তাৰ জীৱনৰ সুৰটোও মিলি যাব খুজিছে।

তাৰ পৰা সি ওলাই আহি দুৱাৰ মুখত অলপ থমকি ৰ'ল। মাটিত চুচৰি যোৱা ভগা দুৱাৰ খন ঠেলামাৰি সি ওলাই গল। ৰান্ধনী ঘৰটোত সোমাই দেখিলে তেল

নাইকীয়া চাকিটো ধিমিক্-ধামাকৈ অলি আছে। গাত টপ টপ কৈ পানী পৰা দেখি ঘৰটোৰ মুখৰ ফালে চালে। বিজুলীৰ পোহৰত মুখৰ ফুটাবোৰ জিলিকি উঠি ধুনীয়া হৈ পৰিল। চৰা ঘৰত থকা ভগা চকীখনত বহি সি ভাবিলে তাৰ অদৃষ্ট কথা। এছাটি এছাৰকনীয়ে তাৰ পিঠিখন তিয়াই পেলালে। সি বিজুলীৰ পোহৰত উঠি গৈ চুৰাৰ খন মেলি বাহিৰলৈ চালে।—এন্ধাৰ—সমুখত ঘোৰ এন্ধাৰ—লগে লগে ধুমুহা। বিজুলীৰ পোহৰত সি দেখিলে প্ৰকৃতিৰ ভীষণ ৰূপটো। হৃদ্দি-মন্দিৰৰ তাৰ নিজৰ ভিতৰৰ চুৰাৰ খন মেলি চালে—ঠিক বাহিৰৰ দৰেই এন্ধাৰ—ধুমুহা!

প্ৰকৃতি শান্ত হ'ল। সি তাৰ কোঠালৈ গৈ লেমটো জ্বলালে। লেমৰ পোহৰত বাস্তৱতাৰ ভীষণ মূৰ্ত্তিটো চকুৰ আগত ওলাই পৰিল। হাতনি পেৰাটো গৈ খুলিলে। কাগজ এখন পাই খুলি চাই দেখিলে কেৰাণী কাম কৰোতে ছুটি লবলৈ লিখা এখন দৰখাস্ত। তাৰ মনত পৰিল সেই তাহানিৰ কথাবোৰ। তেতিয়া সি কেৰাণী। অকণা নতুন। সি কামৰ পৰা আহে অকণাৰ কথা ভাবি ভাবি। সেইদিনা দৰমহাৰ টকা কেইটা লৈ আহোতে বাটতে দোকান সোমাই অকণালৈ কি কি কিনি আনিছিল। ছাঁয়াচিত্ৰৰ দৰে অতীতৰ সকলো স্মৃতি তাৰ মনৰ মাজত জিলিকি উঠিল।

সি বুজিলে জীৱনত সি এটা ডাঙৰ ভুল কৰিলে। পেটৰ চিন্তা আগেয়ে নকৰি দেশৰ চিন্তা কৰাটোৱেই তাৰ ভুল হল। তাৰ নিচিনা থাকলৈ নোপোৱা এটাৰ আকৌ দেশ সেৱা কিহৰ? আগেয়ে জীৱন ধাৰণ তাৰ পিছতহে কৰ্ম্ম। যি কাম কৰিলে থাকলৈ নাপায় সেই কাম তাৰ নহয়।

তাৰ থং উঠিল—দুখ লাগিল। সি লাহে লাহে উঠি গল। বেচিকৈলে থোৱা খাদৰ কাপোৰৰ আলমাৰীটো খুলি এটা এটা কৈ গোটেই বোৰ কাপোৰ উলিয়াই পেলালে। বাহিৰলৈ কাপোৰবোৰ উলিয়াই নিলে। জেপৰ পৰা জুই বাইটো উলিয়াই তপ কৰে কাঠি এটা মাৰি কাপোৰ বোৰত জুই লগাই দিলে। অলি উঠিল দপ্ দপ্ কৈ। জুইৰ পোহৰত তাৰ গাত থকা বৈলা যেন ডাঠ খাদৰ চোলাটোত তাৰ চকু পৰিল; তাকো খুলি জুইত পেলাই দিলে। তাৰ পিছত আহি লেমটো হুমাই শুই থাকিল। তাৰ জীৱনত নিমিষতে এটা বৰ পৰিবৰ্ত্তন হৈ গ'ল।

বাতিপুৱা বিমল আহি ষেতিয়া তাক কলেহি যে, হবেণক কানিৰ দোকানত "পিকেটিং" কৰাৰ বাবে পুলিচে "এৰেষ্ট" কৰি লৈ গ'ল, সুশীলে একো চাঞ্চল্য প্ৰকাশ নকৰিলে। মাত্ৰ এটা উদাস হাহি মাৰি কলে—"বেছ হ'ল—দেশ-সেৱা তাৰ কাম—যি অজস্ৰ টকাৰ মালিক। সেই কাম ভাই, যাৰ থাকৈলে নাই তাৰ নহয়।"

কেইবাটাও "এৰেষ্ট"ৰ খবৰ পাই আবেলি ষেতিয়া সুশীলে কানিদোকানৰ আগৰ কাণ্ড খন চাবলৈ গল সি আৰু ঘৃণি আহিব নোৱাৰিলে।

তাৰ চকুৰ আগতে পুলিচে দুজন "ভোলণ্টিয়াৰ" ধৰি লৈ গ'ল। স্বেচ্ছাসেৱক বোৰৰ কাতৰ প্ৰাৰ্থনা আওকাণ কৰিও পুলিচৰ সহায়ত ষেতিয়া কানীয়া বোৰ কানি দোকানৰ আগ পালৈগৈ তাৰ মুবটো জলি গ'ল।

তাৰ অসহ্য হ'ল—কৰ্ম্মৰ আহ্বান গৰজি উঠিল।

তাৰ তেজোদীপ্ত বক্তৃতা মানুহে তন্ময় হৈ শুনিলে। পিছত সকলো শান্ত হল।

তাৰ হাতত লাগি লোহাৰ শিকলিৰ শব্দ হল—

—ঝনন্—

জাপথোৱা হাত দুখনৰ ফালে চাই তাৰ মনত পৰিল অকণা আৰু টুটুকনৰ অনাহৰ ক্লিষ্ট মুখ দুখনি। এটোপা চকুৰ পানী সৰি পৰিল। সি বুজিলে জীৱনত আৰু এটা ভুল কৰিলে। সিহঁতৰ এন্ধাৰ ভবিষ্যতত একো বিচাৰি নেপাই সি হাঁহিকাৰ কৰি উঠিল। চাৰিও ফালে ব্যাকুল হৈ ঘৃণি চাই সি দেখিলে জীৱনটোৰ ভিতৰখন এন্ধাৰেৰে ভৰা তাৰ, মাজত যিকণ পোহৰ তাৰ দীপ্তিত দেখা পালে সমুখত মূৰ্ত্তিমান যন্ত্ৰণা—এটা কাৰাগাৰ।

জাপানৰ প্ৰাথমিক শিক্ষা

—শ্ৰীযুত জিতেন্দ্ৰনাথ বুজবৰুৱা বি-এ

জাপানী সকলে, শিক্ষাই যে উন্নতি পথৰ প্ৰধান সাৰথি এইটো বেছ উপলব্ধি কৰিব পাৰিছে। ইয়াৰ সহায়েৰে জাতি এটা কেনেকৈ গঠন কৰিব পাৰি তাকো তেওঁলোকে সম্পূৰ্ণকৈ বুজিছে। আজি জাপানৰ উন্নতি দেখিলে তৰ মানিব লাগে। ইংলণ্ড, আমেৰিকা, জাৰ্ম্মানী, ফ্ৰান্স দেশবিলাকৰ লগত সমানে সমানে ফেৰ মাৰিব পাৰিছে। আজি কেবছৰমানৰ ভিতৰতে জাপান পৃথিবীৰ ভিতৰত এখন শক্তিশালী দেশ বুলি পৰিচিত হৈ গোটেই জগতকে চমক লগাই দিছে। শিল্প, বেহা-বেপাৰ ইত্যাদি সকলোতে জাপানী সকল দোপতদোপে অগ্ৰসৰ হৈছে। কিহৰ কাৰণে জাপান আজি ইমান উন্নত? প্ৰকৃত শিক্ষাৰ বলত। জাপানত জাপানী বিলাকৰ প্ৰত্যেককে এই শিক্ষা দিয়া হয়। তেওঁলোকৰ এজনকো পৰাপক্ষত অশিক্ষিত অৱস্থাত নাৰাখে। যি অতি স্বাস্থহীন, যাৰ মস্তিষ্ক বিকৃত তেওঁলোকেহে কেৱল এই শিক্ষা পাবলৈ অসমৰ্থ হয়। এই শিক্ষা এনেভাবে বিস্তাৰিত যে আনকি জাপানৰ কোনো গাঁওতে এখৰ অশিক্ষিত পৰিয়ালো দেখিবলৈ পোৱা নাযায়। অশিক্ষিত পৰিয়ালবতো দূৰৈৰ কথা এঘৰ পৰিয়ালৰ কোনো এজন জাপানীয়ে লেখা পঢ়া নজনা নহয়। ১৯২৬—২৭ চনৰ "ষ্টাটিকটিক্সৰ" মতে সকলো প্ৰকাৰ স্কুলত পঢ়া লৰা-ছোৱালীৰ সংখ্যা আছিল ১০,৯৪২,৬১১ জন। তাৰে ৯৯৯৭,৯৩ জন বাধ্যতামূলক শিক্ষা পাব লগীয়া বয়সৰ লৰাছোৱালী আছিল অৰ্থাৎ শিক্ষা পাব লগীয়া বয়সৰ মুঠ লৰাছোৱালীৰ শত কৰা ৯৯.৪৪ জনে স্কুলত শিক্ষা পাইছিল। প্ৰাথমিক শিক্ষা কি নিয়ম প্ৰণালীত জাপানী লৰাছোৱালী বিলাকক দিয়া হয় সেই বিষয় ইয়াত লিখা হল।

জাপানৰ প্ৰাথমিক শিক্ষাৰ উদ্দেশ্য :—

জাপানৰ প্ৰাথমিক শিক্ষাৰ উদ্দেশ্য :—

জাপানৰ প্ৰাইমাৰি স্কুলত প্ৰাথমিক শিক্ষা কি উদ্দেশ্যে দিয়া হয় ৰাজকীয় আদেশত' (Imperial ordinance) এই দৰে লিখিছে :—প্ৰাথমিক বিদ্যালয় বোৰ (Elementay schools) কৰাৰ উদ্দেশ্য হৈছে জাপানী লৰাছোৱালীবোৰক নীতি শিক্ষা দিয়া আৰু ইয়াত এনেকুৱা শিক্ষা দিয়া হয় যাতে সিহঁতৰ প্ৰত্যেকেই সমাজৰ একোজন আদৰ্শ মানুহ হব পাবে। এই শিক্ষা স্কুলবোৰত এনে ভাবে দিয়ে যাতে জাপানী লৰাছোৱালী বিলাকৰ জীৱন ষুদ্ধত ই প্ৰধান সহায় হয়। লৰাছোৱালী বিলাকৰ শাৰীৰিক উৎকৰ্ষৰ ফালেও এই শিক্ষাই চকু দিয়ে।" যি শিক্ষা লৰাছোৱালীবোৰক দিয়ে সেই শিক্ষাৰ বিষয়বোৰৰ বাছনি অতি উত্তম। ছাত্ৰ আৰু ছাত্ৰীবিলাকক বেলেগ বেলেগ উপযোগী শিক্ষা দিয়ে।

জাপানৰ প্ৰাথমিক শিক্ষা বাধ্যতামূলক। মাক-বাপেক আৰু অভিভাবক সকলে লৰাছোৱালীয়ে স্কুলৰ বয়স পালেই সিহঁতক স্কুললৈ পঠিয়াবলৈ বাধ্য হয়। ছয় বছৰত সোমোৱাৰ লগে লগেই লৰাছোৱালীৰ স্কুলৰ বয়স আৰম্ভ হয় আৰু শেষ হয় এঘাৰ বছৰত। এই তিনি বয়সৰ ভিতৰতে লৰাছোৱালীবোৰে পাঁচ বছৰলৈ স্কুললৈ যাব বাধ্য হয়।

প্ৰাইমাৰি স্কুল দুই বিধৰ—সাধাৰণ প্ৰাইমাৰি স্কুল আৰু উচ্চ প্ৰাইমাৰি স্কুল। সাধাৰণতঃ ছয়োটাই একেলগে হয়। সাধাৰণ প্ৰাইমাৰি স্কুলত পাঁচ বছৰ আৰু উচ্চ প্ৰাইমাৰি স্কুলত সুবিধা অনুযায়ী দুই বা

তিনি বছবলৈ শিকোৱাব সময়। সাধাৰণ প্ৰাইমাৰি স্কুলত এই কেইটা বিষয় শিকোৱা হয়—নীতিশিক্ষা, জাপানী ভাষা, গণিত আৰু ব্যায়াম। স্থানীয় সুবিধা অনুসৰি চিত্ৰবিদ্যা, সঙ্গীতবিদ্যা, আৰু হাতৰ কামৰ শিক্ষা দিয়া হয়। ছোৱালীবোৰক এই বিলাক বিষয়ৰ বাহিৰে চিলাইৰ কাম শিকায়। যিবোৰ প্ৰাইমাৰি স্কুলত তিনিবছৰতকৈও বেছি সময়লৈ শিকোৱা হয় তাত সঙ্গীতবিদ্যা বাদ দি ছোৱালীবোৰক হাতৰ কাম শিকায়। লৰাবিলাকক হাতৰ কাম, কৃষিবিদ্যা আৰু বাণিজ্য বিষয়ক শিক্ষা দিয়া হয়। যিবোৰ উচ্চ প্ৰাইমাৰি স্কুলত চাবি বছৰ শিক্ষা দিয়া হয় তাত নিৰ্দ্দিষ্ট পাঠ্য বিষয়বোৰৰ লগত ইংৰাজী ভাষাও শিকোৱা হয়। জাপানৰ স্কুলৰ এটা বিশেষত্ব এই যে তাৰ সকলো স্কুলতে অতিৰিক্ত বা উপকৰা বিষয়বোৰৰ (additional subjects) শিক্ষা দিয়া নহয়।

আত্ম নিৰ্ভৰৰ আৱশ্যক :—

জাপানৰ শিক্ষাৰ অইন এটা উদ্দেশ্য হৈছে লৰাছোৱালীবিলাকক আত্মনিৰ্ভৰশীল হবলৈ দিয়া। পৰৱ ওপৰত অৱংঘন বা নিৰ্ভৰ কৰা কথাটো সিহঁতৰ মনলৈ মুঠেই আহিব নিদিয়ে। শিক্ষাৰ প্ৰকৃত সমস্যা শিক্ষকৰ নহয় কিন্তু ছাত্ৰ আৰু ছাত্ৰীবহে। জাপানী শিক্ষকে লৰাছোৱালীক অনুসন্ধিৎসা গুণটো কৰাই দিয়ে। স্কুলৰ পাঠ্যবিষয়ৰ বাহিৰে লৰা ছোৱালীবিলাকে প্ৰশ্ন কৰি অইন কথা জানিব খুজিলেও শিক্ষকে একো বাধা নিদিয়ে। মিঃ এ, চি ঘোষে "The Mayurbhanj Gazette" ত লিখা "Primary Education in Japan" প্ৰবন্ধটোৰ কেইটামান কথা মন কৰিব লগীয়া। তেখেতে লিখিছে :—

" Here in India, the teacher is engaged in thrusting information down unwilling throats and is keen after exacting uninteresting task from apathetic pupils. His sole stock-in trade is his University career and his remembrance of how he was taught at school. He thinks too much of curricula and too little about boys and girls. Scholarship alone does not of necessity imply the ability to teach. It is admitted that no one in these days is willing to abide by the verdict of an examination as a final test of ones ability. In Japan, except the provisional teachers, all the teachers in the primary school are to be provided with teachers' license."

পাঠ্য ক্ৰম :—

জাপানৰ প্ৰাইমাৰী স্কুলৰ পাঠ্যবিষয়কেইটাৰ শিকোৱা প্ৰণালীবোৰ এনেকুৱা—

(১) নীতিশিক্ষা :—দেশৰ আৰু সমাজৰ প্ৰতি কি কৰ্ত্তব্য, চৰিত্ৰ গঠন, আত্মসম্মানবোধ কেনেকৈ হয় লৰা-ছোৱালী বোৰক সহজ কথাৰে বুজাই দিয়ে। সজ কামত সিহঁত কেনেকৈ আগ্ৰহ থাকিব লাগে তাক শিকায়। কৰ্ত্তব্য পৰায়ণ হবলৈ আৰু সমাজৰ ভাল আচাৰ-ব্যৱহাৰত সিহঁতৰ মন দিয়াবলৈ শিক্ষা দিয়ে।

(২) জাপানী ভাষা :—জাপানীসকলৰ মাতৃভাষাৰ ভিতৰেদি অৰ্থাৎ জাপানী ভাষাত শিক্ষা দিয়া হয়। স্কুলৰ ছোৱালী বিলাকৰ কাৰণে জাপানী ভাষাৰ কিতাপ বোৰত অইন অইন বিষয়ৰ লগত পাৰিবাৰিক মিতাচাৰৰ বিষয়ো থাকে।

(৩) গণিত :—নানা নিয়মৰ অঙ্কবোৰ ভালকৈ বুজিপোৱাকৈ লৰাছোৱালীবোৰক গণিত শিকায়। এনে উজু নিয়মে অঙ্কবোৰ শিকায় যাতে সিহঁতে নিজে খুব খটুৱাই অঙ্ক কৰিব পাৰে। মৌখিকো কৰিবলৈ দিয়ে। উচ্চ প্ৰাইমাৰী স্কুলবোৰত পৰিমিতি সাধাৰণ নিয়মবোৰ (Simple processes of Book-keeping) অৰ্থবা ছুয়োটা বিষয় একেলগে শিকোৱা হয়।

(৪) জাপানী বুৰঞ্জী :—জাপানী ইতিহাস শিকোৱাৰ উদ্দেশ্য হৈছে জাপানী জাতিটোৰ ক্ৰমোন্নতি কেনেকৈ হৈ আহিছে, লৰাছোৱালীবোৰক তাক দেখুৱালে ইতিহাস কথাবোৰেই জাপানী লৰাছোৱালীবোৰক স্বদেশপ্ৰেমী

কৰি তোলে। বুৰঞ্জী পঢ়ুৱাওতে সিহঁতক ছবি আঁক নক্সাবোৰ, দেশাদিৰ মানচিত্ৰ আৰু প্ৰাচীন বস্তুবোৰৰ নমুনাবিলাক দেখুৱায় আৰু এনেকৈয়ে জাপানী লৰা ছোৱালীবিলাকে অতীত কালৰ কাহিনী অতি সহজে উপলব্ধি কৰিব পাৰে।

(৫) ভূগোল :—জাপানৰ বিশেষ বিবৰণ, প্ৰাকৃতিক বিবৰণ প্ৰধান ঠাইবোৰত ক'ত কি উৎপন্ন হয়, বেল জাহাজৰ যাতায়াতৰ বিবৰণ, আৰু জাপানৰ অইন দেশবিলাকৰ লগত বেপাৰ বাণিজ্যৰ কেনেকুৱা সম্বন্ধ ইত্যাদি শিক্ষা লৰাছোৱালী বোৰক দিয়ে। বুৰঞ্জী আৰু বিজ্ঞানৰ লগত ভূগোলৰ কি কি সম্বন্ধ আছে তাবো শিক্ষা দিয়া হয়।

(৬) বিজ্ঞান :—গছ গছনি পশু পক্ষী, খনিজ বস্তু আদিৰ যিবোৰ সচৰাচৰ লৰাছোৱালী বিলাকে দেখে আৰু শুনে সেইবিলাক বিষয়বো শিক্ষা দিয়া হয়। লগে লগে কৃষিৰ, পানীত জন্ম বস্তুৰ বিষয়, শিল্পবিদ্যা, পাৰিবাৰিক মিতাচাৰ, উদ্ভিদ বিদ্যা, আৰু প্ৰাণী বিজ্ঞান এইবিলাকো কিছু ২ শিকোৱা হয়। পশুৰ চৰ্ম্মৰ, হাড়ৰ, ছালৰ, শাক পাচলিৰ পৰা যিবোৰ বস্তু তৈয়াৰ কৰে তাক কেনেকৈ কৰা হয় সেইবোৰ লৰাছোৱালী বোৰক দেখুৱাই দিয়ে। স্কুলৰ নিৰ্দ্ধাৰিত সময়ৰ মুবিলা অনুসৰি সাধাৰণ বাসায়নিক বস্তু আৰু প্ৰাকৃতিক ঘটনা বোৰ কেনেকৈ হয় তাকো বুজাই দিয়ে। যন্ত্ৰাদি কেনেকৈ আৰু কত ব্যৱহাৰ কৰে, স্বাস্থ্যবিজ্ঞান, শৰীৰ বিজ্ঞান এইবোৰৰ মূল কথাবোবো সিহঁতক স্কুলত শিকোৱা হয়।

(৭) চিত্ৰবিদ্যা—এই বিষয়টো বাধ্যতামূলক কৰিছে। এই বিদ্যাই সৌন্দৰ্য্য উপভোগ কৰা ভাব প্ৰকাশ কৰিব পৰা শক্তিটোক সহায় কৰে। উচ্চ প্ৰাইমাৰি স্কুলবিলাকত জ্যামিতিৰ সাধাৰণ চিত্ৰবোৰ আঁকিবলৈ দিয়া হয়।

(৮) ব্যায়াম :—প্ৰাইমাৰি স্কুলত লৰাছোৱালীবোৰক বিশেষকৈ শাৰীবিক ব্যায়ামাদি শিক্ষা দিয়া হয়। প্ৰথমে উপযোগী নানাৰকমৰ খেলা খেলিবলৈ দিয়ে। তাৰ পিছত ক্ৰমান্বয়ে সাধাৰণ ব্যায়ামমবোৰ কৰিবলৈ শিকাই দিয়ে। উচ্চ প্ৰাইমাৰি স্কুলত লৰাবিলাকক সামৰিক ব্যায়াম শিকাই দিয়ে। ইয়াৰ লগতে বন্দুকীতো শিকায়। প্ৰত্যেক স্কুলৰ সুসুথত ব্যায়ামশালা থাকে। খেলা আৰু ব্যায়াম কৰিবৰ সময়ত লৰাছোৱালীবোৰক অলস ভাবে আৰু কথাবাৰ্ত্তা পাতি সময় নষ্ট কৰিবলৈ নিদিয়ে প্ৰত্যেক লৰাছোৱালীয়ে খোলা ঠাইত অঙ্গ পৰিচালন কৰিবলৈ দিয়ে। স্কুলত থালি পেটেৰে কছৰৎ আৰু ব্যায়াম কৰা অবিধি নিয়মটো জাপানীবিলাকে নামানে। কাৰণ তেওঁ লোকে দিনটোত ঠিকসময়তে তিনবেলা ভাত খায়—প্ৰথম সাজ পুৱা ছয় বজাত, দুপৰীয়াৰ সাজ বাৰ বজাত আৰু গধূলিৰ সাজ ছয় বজাত। গোটেই জাপানী জাতিটোৱেই এই নিয়মটো পালন কৰে। ইয়াৰ কাৰণেই জাপানীসকল প্ৰায় সুস্থ অৱস্থাত থাকে। মিঃ এ, চি ঘোষে লিখিছে—

"This scrupulous observance of meal time at started intervals accounts, to a large measure, for the splendid health enjoyed by the Japanese people as a nation. National health is no less a concern to them as national wealth. Their daily bill of fare is very simple and it consists of rice, vegetable preparations and fish."

(৯) কৃষিবিদ্যা :—খেতি কৰা মাটি কেনেকুৱা হব লাগে, পয়ঃ প্ৰণালী দ্বাৰা খেতিৰ মাটিত পানী দিয়াৰ নিয়ম, সাৰৰ দ্বাৰা মাটি উৰ্ব্বৰা কৰা, সজুলিবোৰৰ ব্যৱহাৰ, কৃষিকৰ্ম্ম, বোপণ, পাট খেতি (Sericulture), পোৱালী উৎপাদন (Stock-breeding) ইত্যাদি বিষয়ৰ সাধাৰণ কথাবোৰ লৰাছোৱালীবিলাকক শিকোৱা হয়।

(১০) বাণিজ্যবিদ্যা :—বাৰসায় কি তাক লৰাছোৱালীবোৰক ভালকৈ বুজাই দিয়ে। কিনা-বেচা মুদ্ৰাদিৰ প্ৰচলন, স্থানান্তৰিত কৰণ, বাৰসায় সম্বন্ধীয় হিচাব, বীমাকৰণ ইত্যাদি বিষয়বোবো এনেভাবে শিকোৱা হয় যাতে লৰাছোৱালীবোবে সহজে বুজিব পাৰে। এই বিষয়বোৰ জাপানী ভাষাতে শিকা হয়।

(১১) হাতৰ কাম :—চোলাৰ কাপোৰ কেনেকৈ কাটিব, চিলাব, ভাল কৰিব লাগে ছোৱালীবোৰক স্কুলত শিকাই দিয়ে। কাগজৰ, সুতাৰ বোকামাটি, খেৰৰ, কাঠৰ, বাঁহৰ য়িবিলাক বস্তু জাপানত তৈয়াৰ কৰা হয় সেই বিলাকো কেনেকৈ কৰিব লাগে লৰাছোৱালীবোৰক স্কুলত দেখুৱাই দিয়ে।

(১২) ইংৰাজী ভাষা :—জাপানী সকলক ইংৰাজী শিক্ষা দিয়াৰ প্ৰধান উদ্দেশ্য হৈছে এইটো যে জাপানীয়ে অনগ ইংৰাজী ভাষাৰ জ্ঞান অৰ্জন কৰি আৰু ইংলণ্ডীয় মুদ্ৰা হাতত লৈ মাতে গোটেই পৃথিবী ভ্ৰমণ কৰিব পাৰে। জাপানৰ মজলীয়া আৰু হাই স্কুলবোৰত ইংৰাজী ভাষা বাধ্যতামূলক কৰা হৈছে। এই বিষিতে মিঃ এ, চি, ঘোষে এইদৰে লিখিছে—

"From the variety of subjects taught with an eye to their practical utility one can form an idea of the nature of education imparted to the Japanese children in a primary school. After all, educaton is not a mere accumulation of fact. It is the ability to co-relate facts, not only to one another, but to life. Infants under school age are trained according to the Kindergarten system. Dalton laboratory plan has also found favour with many educationists in Japan."

জীৱন প্ৰস্তুত :—বাল্যাবস্থাৰ পৰাই প্ৰৌঢ়াবস্থা আৰম্ভ হয়। জাপানৰ লৰাই এথাৰ বছৰ বয়সতে প্ৰাইমাৰি স্কুলৰ শিক্ষা সমাপ্ত কৰাৰ লগে লগেই জীৱনযুদ্ধলৈ সাজু হয়। কৰ্ম্ম-ক্ষেত্ৰত জীৱন কেনেকৈ নিয়াৰ লাগিব তাৰ আও ভাও স্কুলতে লৰাছোৱালীবোৰে পায়। স্বামী বিবেকানন্দই "The future of India" বিষয় বক্তৃতা দিওঁতে ভাৰতবৰ্ষত শিক্ষা কেনেকুৱা হোৱা উচিত এইদৰে কৈছিল—

"Education is not the amount of information that is put into your brain and running riot there, undigested, making a battle of Waterloo all your life. We nust have life building, man-making, character making, assimilation of ideas, If you have assimilated fine ideas and made them your life and character, you have more education than any man who can give by heart a whole libray" আজি দেখা গৈছে জাপানৰ শিক্ষাৰ নিয়ম প্ৰণালীবোৰ, শিক্ষাৰ উদ্দেশ্য, বিবেকানন্দৰ কথাৰ প্ৰত্যেক আখৰে আখৰে মিলি গৈছে।

"নিউজাপানৰ" ("New Japan") এই শিক্ষাপ্ৰণালী ১৮৭২ খৃষ্টাব্দৰপৰা আৰম্ভ হৈছে। তেতিয়াৰ পৰা ইয়াক আমেৰিকাৰ শিক্ষাৰ নিয়ম অনুসৰি পূৰ্ণগঠন কৰা হৈছে। ১৮৭৩ খৃষ্টাব্দত শিক্ষক পাৰ লগীয়া লৰা শতকৰা ৪০ জনে আৰু ছোৱালী ১৬ জনে শিক্ষা পাইছিল অৰ্থাৎ লৰা-ছোৱালী শতকৰা আঠাইশজনেহে শিক্ষা পাইছিল। এতিয়া সেই সংখ্যা প্ৰায় শতকৰা ১০০। জাপানৰ শিক্ষাৰ উন্নতি কেনে স্বন্দৰ! মিঃ এম, এম, ঘোষ, এম চি, ই (জাপান) মহোদয়ে লিখা "Japan and the Japanese" প্ৰবন্ধটোৰ কেইটামান কথা প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰিলোঁ। তেখেতে লিখিছে—

"It is a pleasant sight in Japan to see even the coolies or rickshaw-men reading news-papers or books when they have nothing to do. This is because the Japanese are cent per cent educated."

বিবেকানন্দৰ কথাত ইয়াকেই বোলে "Man-making education".

স্কুলৰ শাসন :—জাপানী লৰাছোৱালীৰ চৰিত্ৰ গঠনৰ কাৰণে স্কুলত বিশেষ চকু দিয়ে। ইয়াৰ কাৰণে অভিভাবক সকলক 'স্কুল কমিটিৰ' কাৰ্য্য সমাধা কৰিবলৈ আহ্বান কৰা হয়। এই দৰেই শিক্ষক আৰু অভিভাবক সকলৰ ভিতৰত মিল হবলৈ সুযোগ হৈ পৰে। স্কুলত

জাপানী লৰাছোৱালীবোৰক কেতিয়াও শাৰীৰিক শাস্তি দিয়া নহয়। শিক্ষকে এই নিয়ম ভঙ্গ কৰিলে শিকনি দিয়াত তেওঁক অসমৰ্থ বুলিহে বিবেচনা কৰে। সতৰ্ক কৰি দিয়া, শ্ৰেণীত আৰু খেলা ঠাইত উপস্থিত হবলৈ বন্ধ কৰা আৰু স্কুল ছুটী হোৱাৰ পিছত আটক কৰি ৰাখা—এইবোৰ শাস্তিয়েই লৰাছোৱালীবোৰৰ সংশোধনৰ কাৰণে বহুত বুলি ভাবে। Madam Mantessori য়ে লৰাছোৱালীক কেনেকৈ শাসন কৰিব লাগে এই দৰে কৈছে—"Do not yield, but do not punish."। জাপানী শিক্ষকে স্কুলত এই দৰেই চলে! আকৌ মিঃ এ, চি, ঘোষে লিখিছে—"Love and sympathy are the guiding principles of a Japanse. The school education is made so pleasant and attractive that a child takes it as punishment if, for some reason he is detained at home." বৰ স্বন্দৰ! কিন্তু আমাৰ স্কুলবোৰত কি দেখা যায়! জাপানৰ স্কুলৰ ঠিক ওলোটাটো। আমাৰ ইয়াত শিক্ষা দিয়াৰ আৰম্ভ কৰাৰ লগে লগেই "Spare the rod and spoil the child" অৰ্থাৎ 'চেকনীৰ আগত বিদ্যা' কথাটো মনলৈ আনো। আমাৰ ইয়াৰ পাঠশালাৰ পণ্ডিতে হাতত এডাল চেনকী লৈ লৰাবিলাকক পঢ়ুৱা দেখা যায়। ইয়াৰ ফল গৈ যে কি হয় মিঃ এ, চি, ঘোষে নিজৰ মন্তব্য এইদৰে প্ৰকাশ কৰিছে—"The rod naturally scares away the children and education is made distasteful to them from the very start. Mere systems of education cannot develop charcter. It is character in teachers, the personal influence of all who come in contacts, with the students working side by side and very often through the system, that must after all establish character in the lives of students." ঘোষ মহোদয়ে লিখা কথা কেইটি সত্য আৰু সমৰ্থন কৰিব লগীয়া।

স্কুলৰ লৰাবিলাকক টিফাৰেট খাবলৈ নিষেধ কৰে। বিলাগী আৰু আবামী নহবৰ কাৰণে লৰাছোৱালীবোৰক ঘৰৰ পৰা স্কুললৈ মটৰকাৰবেৰে বা অইন গাড়ীবে অহাযোৱা নকৰিবলৈ উপদেশ দিয়ে। পাৰিলে খোজ কাঢ়ি অহাযোৱা কৰিবলৈ কয়। লৰাবোৰক মুখৰ চুলি চুটি চুটিকৈ দিয়ে। একে ধৰণৰ স্কুলৰ সাজ লৰাবিলাকে পিন্ধে। সাধু, টি-এল, ভাস্কানিয়ে ভাৰতীয় ছাত্ৰ আৰু ছাত্ৰীসকলক সদায় এইবেই উপদেশ দি থাকে—"Be yourselves: Be natural: Be simple! Be real! Be self-controlled! Be strong!" জাপানী শিক্ষক বিলাকৰ স্কুলত পঢ়া লৰাছোৱালীবোৰক দিয়া উপদেশবিলাক সাধু ভাস্কানিৰ উপদেশৰ লগত মিলি যোৱা দেখিলে সঁচাকৈয়ে মনত আনন্দ লাগে।

জাপানৰ স্কুলৰ কৰ্ত্তৃপক্ষসকলৰ লৰাছোৱালীৰ স্বাস্থ্যোন্নতিৰ প্ৰতি লক্ষ্য :—

স্বাস্থ্য নহলে সকলো মিছা, জাপানী সকলে বেছ বুজে। স্কুলত লৰাছোৱালীৰ স্বাস্থ্যৰ কাৰণে বিশেষ চকু দিয়ে। ইয়াৰ কাৰণেও সুবন্দবস্ত কৰিছে। লৰাছোৱালীবিলাকৰ কাৰণে স্কুলত ডাক্তৰে প্ৰত্যেক বছৰে দুবাৰকৈ লৰা-ছোৱালীবিলাকৰ শৰীৰ তন্ন তন্নকৈ পৰীক্ষা কৰি ফলবোৰ লৰাছোৱালীৰ মাকবাপেকক আৰু অভিভাবকক জনায়। স্কুলৰ ডাক্তৰৰ কাম হৈছে প্ৰত্যেক মাহত একোবাৰকৈ স্কুলঘৰবোৰ পৰিদৰ্শন কৰি পৰীক্ষা কৰা। স্কুলঘৰবিলাকৰ ভিতৰলৈ পোহৰ অহা আৰু বতাহ চলাচল হোৱা, ছেহ, আৰু বেঞ্চিবিলাক কিমান ওখ হব লাগে, কিমান ওচৰত আৰু দুৰলৈ দিয়াৰ লাগে, আগৰ আৰু পাছৰ বহা বেঞ্চিবিলাকৰ পৰা ব্লেকবোৰ্ড কিমান আঁতৰত থাকিব লাগে, স্কুলঘৰ আৰু ওচৰৰ ঠাইবোৰ পৰিষ্কাৰকৈ ৰাখা যাতে সংক্ৰামক ৰোগৰ জীয়াণুই দূষিত কৰিব নোৱাৰে, খোৱা পানী কেনেকুৱা হব লাগে—এইবোৰলৈ ডাক্তৰে বিশেষকৈ চকু দিব লাগে।

সহাধ্যায়ী :—প্ৰাইমাৰি স্কুলত লৰাছোৱালীবোৰক একেলগে পঢ়ুৱা হয়। সুবিধা হলে কোনো কোনো স্কুলত লৰা আৰু ছোৱালীবোৰক পৃথক পৃথক শ্ৰেণীত শিক্ষা দিয়ে।

স্কুলৰ নিয়ম অনুসৰি প্ৰাইমাৰি স্কুলত মাছুল নলয়। কিন্তু বিশেষ কাৰণত স্থানীয় গৰণৰৰ সন্মতি অনুসৰি কোনো কোনো গাওঁৰ স্কুলত সামান্য মাছুল দহ "চেন" (10 Sen a month) আৰু মিউনিছিপালিটিৰ অন্তৰ্গত ঠাইত আৰু চহৰত থকা স্কুলত কুৰি "চেন" (20 Sen) মাহেকত লোৱা হয়। স্কুলৰ প্ৰত্যেক শ্ৰেণীৰে এই মাছুল একে। একেঘৰৰ দুজীয়া মাকবাপেকৰ দুটা বা ততোকৈ বেছি লৰাছোৱালী একে স্কুলত পঢ়িলে মাছুল কমাই লয়। "চেন" = ১ পইছা, এতিয়া তাতকৈ বহুতো কম)

জাপানৰ স্কুল বহাৰ সময় ছেছে পুৱা আঠ বজাত, ছুটী হয় ভাটিবেলা চাৰি বজাত। গ্ৰীষ্মকালী ভাত থাবৰ কাৰণে স্কুল আধা ঘণ্টা ছুটী হয়। অকণ অকণ লৰাছোৱালী-বোৰক সোনকালে ছুটী দিয়ে। লৰাছোৱালীবোৰৰ স্কুলত শিকাণ্ডতে গোটেই সময়খিনি কেৱল লেখা পঢ়াতে নিনিয়ে। আমাৰ স্কুলৰ লৰাছোৱালীক ঘৰত যথেষ্ট লেখা কাম কৰিবলৈ দিয়ে। জাপানৰ প্ৰাইমাৰি স্কুলত লৰাছোৱালীবোৰক 'home tasks' নিদিয়ে। স্কুলৰ সময়ৰ বাহিৰে লৰাছোৱালীবোৰৰ সম্পূৰ্ণ মুকলি। বছৰটোৰ লেখাপঢ়াৰ পৰীক্ষাৰ ফল চাই 'প্ৰমোশুন' দিয়াৰ নিয়ম নাই। শ্ৰেণীত সদায় ঠাই পৰিবৰ্ত্তন কৰি বহিবলৈ নিদিয়ে। মিঃ এ, চি, ঘোষে এই বিষয় এনেকৈ লিখিছে—"Changing of seats in the class is not favoured, as the practice is considered a misapplication of the principle of general education because it subjects Students to undue mental excitement and tends to injure their physical dvelopment" জাপানী শিক্ষকে লৰাছোৱালীবিলাকে পঢ়াশুনা আৰু অইন কামত উন্নতি কৰা দেখিলে সিহঁতক প্ৰশংসাৰে উদগণি দিয়ে। কিবা দোষ কৰিলে সিহঁতক কেতিয়াবা কেতিয়াবা অলপ গালি পাৰে আৰু দোষটো তৎক্ষণাৎ শুধৰাই দিয়ে।

জাপানৰ শিক্ষাৰ নিয়ম প্ৰণালীবোৰ প্ৰকৃততে অতি সুন্দৰ। ইয়াকেই বোলে "প্ৰকৃত শিক্ষা"। এই শিক্ষা বাস্তৱিকতে প্ৰশংসনীয় আৰু অনুকৰণীয়।



বিপ্লবী

গল্প— —শ্ৰীযুত দীননাথ শৰ্ম্মা

.....ফৰাচী বিপ্লৱৰ এক অধ্যায়! গোটেই পেৰিচ চহৰত বিভীষিকাৰ তাণ্ডৱ নৃত্য চলিছে! কেউফালে—মৃত্যু, তেজৰ সোঁত আৰু আৰ্ত্তৰ বিকট চিৎকাৰ! জেকোবিনবোৰৰ এই বিপ্লৱৰ পুৰোহিত!

—হত্যা, কেৱল হত্যা! যাক যাকে পাইছে তাকে নৃশংস পশুৰ দৰে হত্যা কৰিছে! কামানৰ গৰ্জ্জনত কাণত তাল লাগিছে। প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকাবোৰ ধূলিৰ দৰে খহি পাৰিছে! প্ৰাণৰ মমতাত কতই গাঁও খানি আশ্ৰয় লৈছে! কিন্তু তাতো এৰণ নাই! বন্য পশুৰ দৰে জাঠিৰে খুচি বধ কৰিছে।.....

সকলোতে বিশৃঙ্খলতা, অৰাজকতা আৰু বৰ্ব্বৰতা! তিকতা, ল'ৰা-ছোৱালীৰ বাচ বিচাৰ নাই! যেন পৃথিবীৰ সভ্যতা নাশৰ কাৰণেই এই নিষ্ঠুৰ হত্যাকাণ্ড! উস্! কি নাৰকীয় ভয়লগা দৃশ্য!.....

ঠিক তেনে সময়ৰে কথা.....

* * *

...মাজ নিশা! ঘুৰ্ভেদ্য অন্ধকাৰ! কেনিউ ক'তো সাৰ সহাঁৰি নাই! হঠাৎ যুৱক থিয় হৈ বল। এবাৰ কেউপিনে তীব্ৰ দৃষ্টিৰে চালে। কতো একো নেদেখি খোজ ললে।.....

...মৃদু পদ শব্দ! যুবক অস্থিৰ হৈ উঠিল। জেপত হাত দি পিস্তলটো চালে, ঠিক আছেনে নাই। এবাৰ ককালত ওলোমাই থোৱা তৰোৱালখনত হাত দিলে। লগে লগে অজান প্ৰেৰণাত যুৱকৰ গোটেই গা শিহৰি উঠিল! ক্ষণেকলৈ সকলো নীৰৱ! যুৱকে শুনব খোজ ললে!

...আকৌ কোমল পদক্ষেপৰ মৃদুধ্বনি! লাহে লাহে যেন ওচৰ চাপি আহিছে! যুৱকে গম পালে, কিন্তু নৰল। মাথোন অতি সন্তৰ্পণে পিস্তলটো উলিয়াই হাতত ললে। তাৰ পিছত ওলি সুমুৱাই দৃঢ়ভাবে খামুচি ধৰিলে! তেওঁৰ খোজ ক্ৰমে ঢিলা হৈ আহিল। কাণ দুখন বিয় কৰি শব্দ লক্ষ্য কৰিবলৈ ধৰিলে।

"খবৰদাৰ! অলপ লৰিলেই মৃত্যু!"—পিস্তলৰ ঘোৱা উঠাই আগন্তুকৰ ফালে মুখ কৰি যুৱক থিয় হ'ল। তেওঁৰ মুখৰ আকৃতি কঠিন—চকু দুটাত দৃঢ়তাৰ চিন!—মাতত কৰ্কশতা! আগন্তুক কিন্তু অলপো বিচলিত নহল। মাথোন অলপ হাঁহিলে। তাৰ পিছত লাহে লাহে কলে—"সেয়ে ভাল। ওলী কৰা, কিয়? পিস্তল পেলাই দিলা যে? অ' ভয় কৰিছা! কাপুৰুষ!"

"মেৰীয়া! তুমি ইমান নিষ্ঠুৰ!"—যুৱকৰ মাত ক্ৰমে তিৰোতাৰ দৰে কৰুণ হৈ উঠিল! দুধাৰ চকুলো তেওঁৰ গালে দি বৈ গল!

"এ্যাঁ! তুমি ইমান নিশা ইয়াত কিয়? দেখিছোঁ! তোমাৰ গাত পুৰুষৰ সাজ! আচৰিত! এইবোৰ যে তেজ!"

"তেজ! হাঃ হাঃ! এইবোৰ যুদ্ধক্ষেত্ৰৰ তেজ!"

"যুদ্ধ ক্ষেত্ৰৰ!"

"এবা যুদ্ধ ক্ষেত্ৰৰ। তোমালোকৰ কীৰ্ত্তি।"

যুৱক শিয়ৰি উঠিল!.....

"ভয় কৰিছা! নকৰিবা—"

"চুপ!"—যুবকে মেৰীয়াৰ মুখত সোপা দি ধৰিলে। তাৰ পিছত চুপি চুপি কলে "এই ফালে কোনোবা আহিছে। বোধ হয় জেকোবিনৰ দল! ইয়াত থকা আৰু নিৰাপদ নহয়। ব'লা ইয়াৰ পৰা আঁতৰ হৈ যাওঁ!"

"জেকোবিন !"—ভয়ত মেৰিয়া চক্ খাই উঠিল। গোটেই দিনৰ পৰিশ্ৰমত এনেয়ে তেওঁ ক্লান্ত হৈ আছিল তাতে জেকোবিনবোৰৰ নাম শুনি আৰু হতাশ হৈ পৰিল ! যুৱকে নধৰা হলে তেওঁ কিজানি পৰিয়েই গল হেঁতেন !

জেকোবিণ বোৰৰ কোঢ়াল ক্ৰমে স্পষ্ট হৈ উঠিল !...

নিৰুপায় যুৱকে মেৰীয়াক কান্ধত তুলি আনফালে গুচি গল !.....

*

* *

এটা পৰিত্যক্ত অট্টালিকাৰ ভিতৰত যুৱক চিন্তান্বিত হৈ বহি আছে। তেওঁৰ কোলাত মূৰ থৈ নিদ্ৰা বিমূৰ্চ্ছিতা মেৰীয়া ! তেতিয়াও ৰাতি পুওৱা নাই !

যুৱকৰ নাম জ্যোছেফ্ ! আজি বিপ্লবী বিলাকৰ হৈ যুদ্ধ কৰিছিল !.....

জোছেফে দেখিলে অট্টালিকাটোৰ গঠন-প্ৰণালী সুন্দৰ। বোধ হয় কোনোবা ডাঙৰ মানুহৰ বিলাস নিকেতন ! কিন্তু এতিয়া আৰু তাত কোনো নাই। তাৰ কোনো কোনো অংশ নষ্ট হৈ গৈছে।

মনে মনে জোছেফে কলে "নিশ্চয় এইয়াও বিপ্লবী বোৰৰে কাম ! আহা—কি নিষ্ঠুৰতা ! যি কি নহওঁক—তথাপি ৰক্ষা। এই ঘৰটোলৈ আৰু হঠাতে কোনো নোসোমাইছে। কিন্তু পেটৰ ভোক মাৰিম কিহেৰে ?"—এইবোৰ কথা ভাবি থাকোতেই জোছেফ্ আনমনা হৈ অট্টালিকাটোৰ এফালে চাই থাকিল ! ইতিমধ্যেই মেৰীয়াই সাৰ পাই জোছেফৰ সুন্দৰ তেজোদ্দীপ্ত মলিন মুখ খনিলৈ চাই ভোল গ'ল।

এবাৰ অজ্ঞাতে তেওঁৰ মুখৰ পৰা ওলাল—"কি সুন্দৰ !"

জোছেফৰ চমক্ ভাগিল ! তেওঁ তললৈ চাই দেখে যে মেৰীয়াই সাৰ পাই বিমুগ্ধা হৰিণীৰ দৰে তেওঁৰ ফালে থৰ লাগি চাই আছে ! পূবে পোহৰ দি আহিছিল। উষাৰ হেঙুলি আভা খিড়িকিয়েদি আহি মেৰীয়াৰ মুখ খনি বোলাই দিছিলহি। সোণ বৰণীয়া চুলি বিলাকত পুৱাৰ বতাহ লাগি এটা অপৰূপ সৌন্দৰ্য্যৰ তৰঙ্গ উঠিছিল !.....

জোছেফ্ খন্তেকলৈ আত্মবিস্মৃত হৈ পৰিল। তেওঁ স্থান কাল পাহৰি মেৰীয়াৰ কোমল সৌন্দৰ্য্যমণ্ডিত মুখনি দুই হাতেৰে ডাঙি ধৰি গালত এটি প্ৰেমৰ পৱিত্ৰ তপত চুমা আঁকি দিলে। তাৰ তাপত মেৰীয়াও চঞ্চল হৈ উঠিল। লাজত তেওঁৰ গাল দুখনি আৰু ৰঙা হৈ পৰিল !.....

*

* *

...এটা বৈচিত্ৰ্যহীন নৈৰাশ্যময় সুদীৰ্ঘ দিন এই দৰে প্ৰেম পুলকৰ মাজেদিয়েই পাৰ হৈ গ'ল ! সংসাৰৰ ঘাত প্ৰতিঘাত, আলৈ-আহুকালৰ কথা তেতিয়া কাৰো মনত নাছিল। আনকি ভোক পিয়াহৰ কথাও তেওঁলোকে পাহৰিলে !

মোটতে তেতিয়া তেওঁলোক কোনোৱা সঁপোন ৰাজ্যৰ মদিৰাত বিভোৰ !...কি ৰহস্যময় সংসাৰ !

*

* *

মেৰীয়া ধনীৰ ছোৱালী। ৰূপ আৰু গুণৰ অধিষ্ঠাত্ৰী দেবীয়ে চেনেহ কৰিছিল তেওঁক সমানে। কব নোৱাঁৰো কোন মুহূৰ্ত্তত এই ৰূপহী মেৰীয়াই ভাল পাইছিল দুখীয়া জোছেফক।

জোছেফ্ ডেকা, সুন্দৰ আৰু শিক্ষিত। কিন্তু ধনহীন—আভিজাত্যাভিমানী সকলৰ ভ্ৰূকুটিৰ পাত্ৰ।

তেওঁলোকৰ মিলনৰ মাজত দুৰ্ভেদ্য বাধা দিছিল আভিজাত্যৰ হেঙাৰ। কিন্তু প্ৰেমে কালৈকো লক্ষ্য নকৰে ! তাৰ নিশ্চিত ফল স্বৰূপ ধনীৰ কোপ দৃষ্টি পৰিল দুৰ্ভগীয়া জোছেফৰ ওপৰত। জোছেফে সকলো বুজিও তালৈ ভ্ৰূক্ষেপ নকৰিলে !.....

আভিজাত্যৰ জুই জলি উঠিল। মেৰীয়াৰ বাপেকে সকলো কথা শুনি খঙত বলিয়া প্ৰায় হল। শেহত জোছেফক মাতি নি অপমান কৰিলে। যুৱক জোছেফৰ পক্ষে এই অপমান অসহ্য হৈ উঠিল। উপায় নাই। দুখীয়া বুলিলেই ধনীৰ আজ্ঞাকাৰী দাস।

কিন্তু মেৰীয়াৰ প্ৰেম জোছেফৰ প্ৰতি তেতিয়াও অতুত আছিল। বাপেকৰ ব্যৱহাৰত তেওঁ মৰণান্তিক বেজাৰ পালে।

দেশত এনেতে বিপ্লবৰ আয়োজন হল ! ধনীৰ ওপৰত ভগবানৰ অভিশাপ পৰিল। ইয়াৰে সুযোগ লৈ প্ৰতিশোধৰ কল্পনাত জোছেফ বিপ্লবী দলৰ লগত যোগ দিলে।

জোছেফ বিপ্লবী হলেও তেওঁৰ মনুষ্যত্ব হেৰুৱা নাছিল। মেৰীয়াই অলক্ষে থাকি সকলো শুনিলে। শুনি এটা হুমুনিয়াহ কাঢ়িলে !.....

.....প্ৰিয়তমক ৰক্ষা কৰিবৰ কাৰণে সকলোৰে অজ্ঞাতে তেৱোঁ পুৰুষ বেশী যুজাৰু হৈ জোছেফৰ লগে লগে ফুৰিবলৈ ধৰিলে। শেহত নিশা যেতিয়া সুযোগ বুজি জোছেফৰ পাছ ললে তাৰ পিছত সেই সাক্ষাত।.....

*

* *

...ৰাতি গভীৰ হৈ আহিল। দূৰত জেকোবিন বোৰৰ কোঢ়াল। কামানৰ শব্দ !...

...এডাল মম জলাই দুয়ো কথা পাতিছে। কেনেকৈ তেওঁলোক সাৰিব। নিৰ্জ্জন খোটালিটো ৰাতিৰ গভীৰতাৰ লগে লগে আৰু গম্ভীৰ হৈ পৰিছে !.....

বাহিৰত দপ্ দাপ শব্দ.....

"কোন ?"—দুয়োৰো চকু থিৰ ! ভয়ত দুয়োৰো হিয়া কঁপি উঠিল।

প্ৰধান তোৰণত মানুহৰ গোলমাল। নিশ্চয় জেকোবিন ! মম ডাল নুমাই দিলে। ভয়ত মেৰীয়াই জোছেফক সাৱটি ধৰিলে। জোছেফে পিস্তলটো সন্মুখলৈ দি প্ৰতি মুহূৰ্ত্ততে মৃত্যুলৈ অপেক্ষা কৰিবলৈ ধৰিলে।

হুলস্থুল কৰি কিছুমান মানুহ ওপৰলৈ উঠি আহিল। দুৱাৰত জোৰেৰে মৰিয়াবলৈ ধৰিলে। চাই থাকোতেই সুদৃঢ় দুৱাৰ চূৰ্ণময় হৈ গল।...

"গুৰু কম"—জোছেফৰ পিস্তলৰ গুলিয়ে সন্মুখৰ দুটা মানুহ বগৰাই পেলালে।

সেই মুহূৰ্ত্ততে বাহিৰৰ পৰা এটা ৰাইফল উত্তোলিত হল, জোছেফৰ বুকু লক্ষ্য কৰি। লগে লগে গুলি—

"গুৰুম" "গুৰুম"—জোছেফ আৰু মেৰীয়াৰ প্ৰাণহীন দেহা মাটিত ঢলি পৰিল।.....

তাৰ পিছত নৰপিশাচহঁতৰ বিকট চিৎকাৰ ! কামানৰ নিৰ্ঘোষত অট্টালিকাটো খণ্ড খণ্ড হৈ মাটিত খহি পৰিল।.....

জোছেফ আৰু মেৰীয়াৰ চিনকে নাথাকিল।...*

* বিদেশীৰ ভাৱ লৈ—লিখক



নগা পাহাৰত এসপ্তাহ

—শ্ৰীযুত জ্যোতিষচন্দ্ৰ দাস

বহুত দিনৰ আগৰে পৰা মোৰ ইচ্ছা আছিল নগা পাহাড় চোৱা, কিন্তু কোনো সুযোগ নোপোৱাৰ গতিকে প্ৰায় নিতাল মাৰিব লগাত পৰিছিলোঁ। ভালেই পালো গৰমৰ বন্ধটি। কেনেকৈ কটাও লাগিল তাৰ চিন্তা। স্কুল খুলিবলৈ মাত্ৰ ২০ দিন বাকী। জাগিল মনত সেই বহুদিনিয়া ইচ্ছা প্ৰবল ভাবে, গতিকে এইবাৰ যেনে তেনে নগা পাহাৰ চাবলৈ যাম বুলি ঠিক কৰিলোঁ। দিন স্থিৰ



লেখক

হ'ল জুলাই মাহৰ ১৫ তাৰিখ। আগদিনা টালি-টোপোলা বান্ধি সাজু হৈ থাকি পিছদিনা আবেলি ২ বজাত ডিব্ৰুগড় ষ্টেশ্যনলৈ গৈ ৫।০ অনাৰে এখন ইণ্টাৰ ক্লাচৰ টিকট কৰিলোঁ। দুটাবাজি পঁচিশ মিনিটত গাৰী এৰি দিলে। গাৰী গৈ ৩॥০টা বজাত তিনচুকীয়া জংশ্যন পালে। তাতে ডি-এচ-আৰ এৰি এ-বি-আৰ ট্ৰেইনত উঠিলো। তাৰ পৰা ৩॥টা বজাত ৰেল এৰি দিলে; বাটত শিমলুগুৰী আৰু মৰিয়ণী ষ্টেশ্যনত অলপ চাহ খোৱা হ'ল। ৰাতি যেতিয়া মণিপুৰ ষ্টেশ্যন পাওঁ তেতিয়া ৰাতি ৩টা বাজিছিল। কোনো ৰকমে অপেক্ষাগাৰত ৰাতিটো কটালোঁ। ৰাতিপুৱা ৫টা বজাত বিছনাৰ পৰা উঠি অলপ চাহ খালোঁ। মণিপুৰ ৰোড্ ষ্টেশ্যনৰ পৰা কহিমা বা মণিপুৰলৈ ৰেল নাই, মটৰেৰে যাব লাগে, সেই কাৰণে ঠিক কৰিলোঁ মেইল মটৰত যোৱাটো মেইল যায় ৭॥ বজাত। কহিমালৈ যাবলৈ পাছ লাগে। আগেয়েই পাছৰ কাৰণে কহিমালৈ লিখা হৈছিল। এইখিনিতে এটা কথা কৈ থওঁ যে ষ্টেশ্যনটোৰ নামহে মণিপুৰ ৰোড্ কিন্তু ঠাই ডোখৰৰ নাম ডিমাপুৰহে। চাহ খাই ডিমাপুৰ থানালৈ গৈ পাছখন ললোঁ। পাছৰ মাছুল ললে ॥০ আঠ অনা। ৭॥ বজাত মেইলত উঠি কহিমালৈ যাত্ৰা কৰিলোঁ। ষ্টেশ্যনৰ পৰা প্ৰায় এমাইল মান আহি পুৰণি ডিমাপুৰৰ ভগ্নাৱশেষ



যুদ্ধবেশত মনিপুৰী নগা

বাটৰ দাঁতিত সো হাতলৈ দেখা পোৱা যায়। সময়ৰ অভাৱত নামি যোৱা নহল।

ডিমাপুৰৰ পৰা মণিপুৰ প্ৰায় ১১৫ মাইল। গোটেই বাট পিটচ্ কৰা। প্ৰায় ৭মাইল মান দূৰৰ পৰা আলিটো

ঠায়ে ২ তললৈ গৈ আকৌ ওপৰলৈ উঠিছে, তাৰ ওপৰেদি গাৰী গলে সাগৰৰ ঢৌত উটি যোৱা জাহাজৰ দৰে এবাৰ তললৈ গৈ এবাৰ ওপৰলৈ উঠাৰ দৰে লাগে; এইদৰে গৈ নিচুগাৰ্ড বোলা ইনাৰ লাইনৰ প্ৰথম দুৱাৰ পালোঁহি তাত গাৰী ৰখাব লাগে। পুলিচ অফিচাৰে মোৰ পাছখন চাই যাবলৈ অনুমতি দিলে। ইতিমধ্যে ড্ৰাইভাৰে



এটা আঙ্গানি পৰিয়াল

এখন বহীত চহী কৰিলে। তাত এখন মাৰোৱাৰী দোকানৰ বাহিৰে বিশেষ একো নাই। প্ৰায় ৮॥ টা মান বজাত তাৰপৰা গাৰী এৰিলে। তাৰ পৰাই বাট ৰব বেয়া, কোনো ৰকমে ঠায়ে ২ দুখন গাৰী পাৰ হব পাৰে।

তাৰ পৰা যদি গাৰী তললৈ বাগৰে তেনেহলে সেই গাৰী আৰু মানুহৰ তাতেই শেষ বাগৰ, কাৰণ সি যে কিমান ফুট তললৈ গৈ পৰিব পাৰিব তাৰ ঠিকনা নাই। যেতিয়া গাৰীখন বেকাঁ বাটেদি কোবেৰে ঘূৰাই দিয়ে তেতিয়া যাত্ৰীবোৰৰ অৱস্থা যে কি হয় আৰু কেইবাৰ এই পৰে এই পৰে ভাব লৈ ভয়ত মুচ্কচ্ গৈ বতিয়াই একাকাৰহয় তাৰ ঠিকনা নাই। আন কি আমাৰ একে গাৰীতে যোৱা কোহিমা দোকানত থকা মাৰোৱাৰী এজনে বাটে বাটে বতিয়াই গৈছিল। তাত এটা বিষয়ে সাৱধান হব লাগে, যেতিয়া মটৰত যোৱা যায়, তেতিয়া টোপনি আহিব খোজে কিন্তু কেতিয়াও টোপনিয়াব নালাগে। যদি ক্ষন্তেকো টোপনিওৱা যায় তেন্তে নিশ্চয় বমি কৰিবই লাগিব। সেই কাৰণে আগৰ পৰাই মই সাৱধান হৈছিলোঁ। মোৰ টোপনিও ধৰিছিল কিন্তু নুশুলোঁ সেই কাৰণেই হব পায় বমি নহল। পৰ্ব্বতৰ প্ৰাকৃতিক দৃশ্য দেখিয়েই বোধহয় চকুৱে সেই পোনেই থৰ হৈ নুমুদু বুলি প্ৰতিজ্ঞা কৰিলে। এইদৰে প্ৰাকৃতিক সৌন্দৰ্য্য চাই চাই আহোতে দূৰৈত কেইটিমান টিনৰ ঘৰ দেখা পালোঁ। সোধাত গম পালো এই ঠাই খনৰ নাম পিপ্পিমা। ই পিছু গাওঁৰ পৰা প্ৰায় ১০ মাইল দূৰ। ইয়াত এটা Inspection Banglow আছে আৰু তাত দুজনমান চৰকাৰী বিষয়া আছে। কিন্তু ইয়াত কোনো দুৱাৰ নাই তাত ৰোৱা নহল। মটৰ গৈ ৰঙামাটি বোলা ঠাইত ৰলগৈ। তাৰ পৰা আৰু গাৰী নাযায়। কাৰণ ইয়াতেই ভয়ঙ্কৰ বৰষুণ পৰাৰ ফলত এখন ডাঙ্গৰ পাহাৰ খহি বাট পথ ধ্বংস কৰি পেলাইছিল। তাত বহুত নগা কুলী থাকে। সিহঁতৰ দ্বাৰাই চাউলৰ বস্তা তেলৰ টিন ইত্যাদি পাৰ কৰা হয়। প্ৰায় আধা মাইল মান খোজ কাঢ়ি ময়ো মোৰ লগত নিয়া বস্তুবোৰ নগাৰ পিঠিত তুলি দিলোঁ আৰু সিহঁতৰ লগে লগে সেই ঠাইখন পাৰ হলোঁ। সিহঁতে মাল বস্তুবোৰ সিপাৰে থকা মেইলত



কহিমাৰ মটৰ গেট্

তুলি দিলে। ময়ো মোণে চাৰি অনাকৈ আঠ অনা পইছা দি সিহঁতক বিদায় দিলোঁ। ইপাৰৰ দৰে ভগা বাটৰ সিপাৰেও বহুত লৰি আছিল। এইবিলাকত চাউল ডালি ইত্যাদি মণিপুৰলৈ নিয়া হয়। মেইল মটৰত অহাৰ সুবিধা ইয়াতেই বেছকৈ বুজিব পৰা যায় কাৰণ ইবোৰ লৰিয়ে মাল বস্তু ভৰাওঁতে-মেলতে বহুত

সময় নিয়ায়, সেই কাবণে বহুত লবিয়ে আগে আহিও পাছ পবে। সাধাবণতে মেইলত পইছা বেছি দিও যোৱাটো বেয়া নহয়। এই খহা শাহাবটো ডিমাপুব আৰু কহিমাব মাজতে, তাব পবা নেকাবেকি বাটেবে গৈ নগা পাহাবব বাজধানী শৈল শিখবত ওলমি থকা দেখা পালোঁ। তাব পবা প্রায় ৮ মাইল মান আহি কহিমা ছত্তাব পালোঁ, তেতিয়া প্রায় ১টা বাজিছিল! গাবীব ভাবা ললে ছটকা। পুলিছ অফিচাবে মোব পাছ থন চাই ভিতব



নৃত্য ৰতীত আঙ্গামি নগা

সোমাবলৈ দিলে, মইগৈ ডাক্তব ললিত চন্দ্র বড়াব ঘবত আলহী সোমালোঁগৈ। সেইদিনা কলৈকো ওলোৱা নহল। গা পা ধুই খাই-বৈ শুই থাকিলোঁ। ব'দব মুখ সেই দিনাই মি দেখিছিলোঁ। তাব পিছত আৰু সেই তাত থকা ৮দিনব ভিতবত ব'দ দেখা মনত নপবে তাব পিছ দিনা থন বাতি পুৱাব পবা যি বৰষুণ আবম্ভ হ'ল সি আৰু ব'দ নেদেখুৱালে। বাতিব পবা বৰষুণ, পুৱা প্রায় ৬টা বজালৈকে পবিল। তাব পিছব পবা ১২টা লৈকে কুঁৱলী, তাব পিছত বহুত ডাৱৰীয়া, তাব পিছত আকৌ ৫টালৈ কুঁৱলী। তাব পিছব পবা আকৌ বৰষুণ আবম্ভ। বতবে এই আঠ দিনব ভিতবত এই নিয়মব ব্যতিক্রম কবা নেদেখিলোঁ।

২

পিছ দিন ছপবীয়া খাই-বৈ উঠি প্রায় ৩টা মান বজাতে বহুত অলপ ফবকাল হোৱাত হাতত কেমেবাটো লৈ কুবিবলৈ ওলালোঁ। প্রথমতে ফুলনি বাবীত সোমালোঁ গৈ। ই কহিমা-গেটব বাওঁ হাতলৈ আছে। ফুলনিখন যদিও বব ডাঙব নহয় তথাপি নগা মালীয়ে ইয়াক ইমান আটোম্-টোকাবিকৈ বাখিছিল যে ই কল্পনাব অতীত ইয়াত নানা বৰণব ফুল আছে। ফুলনিব ঠিক সোঁমাজত মোৱা জাম্বাণ যুদ্ধত যি সকল ভাবতীয় সৈন্যই প্রাণ দিছিল তেওঁলোকব সৌৱৰণীব চিন স্বৰূপে এটা ধুনীয়া শিলব স্তম্ভ আছে। তাব অলপ ওচবতে এছটা শিল থিয় হৈ আছে। ওচবলৈ গৈ দেখোঁ যে তাব তলতে এছটা শিল পতা আছে, তাব ওপবত দুটা পদচিহ্ন আছে। ওপবব থিয় হৈ থকা শিল ছটাত অসমীয়া আখবেবে লিখা আছে "শ্রীল শ্রীযুত গোবিন্দ মহাবাজা".....

মাত্র ইমানলৈকে পঢ়ি পাবিলোঁ, বাকীখিনি পঢ়ি নোৱাবিলোঁ। কালব গতিত আখব মুদ্ধাই গৈছে। দুখব বিষয় ব'দ নোহোৱাব গতিকে তাক ফটোত তুলি নোৱাবিলোঁ, বহুতে কয়, বোলে ই মণিপুবব পুবণি বজাব পদচিহ্ন। তাব পবা ওলাই আহোতে বাটব দাঁতিত আৰু এটা শিলব স্তম্ভ দেখা পালোঁ। ওচবলৈ গৈ জানিব পবিলোঁ যে ই মিঃ ব্লেক নামেবে নগা পাহাড়ব কোনোবা এজন ডেপুটি কমিশ্নাবব স্মৃতিস্তম্ভ। মোৱা ১৮৯৭ চনব ডাঙব ভূমিকম্পত তেওঁব ছিলঙত মৃত্যু হয়। তাব চকু



নগা গাঁও আৰু জুমখেতিব দৃশ্য (কহিমা)

কাষেদি দুটা আলি গৈছে। বাঁওকাষব বাটটো মাবোৱাবী পটি আৰু ই নগা বজাবলৈ গৈছে। আনটো গোন পোনে গৈ সৈন্য নিবাসত শেষ হৈছে। এই দুটাই তাব প্রধান বাট। মণিপুবলৈ মোৱা বাটটো কহিমা গেট

সোহাতে, বব চাহাবব বঙলাব তলেদিছেই গৈছে। সেই বাটেদি মণিপুবলৈকো মোৱাব কথা আছিল; কিন্তু সময় মতে মণিপুবব পবা পাহু আহি নোপোৱাত মোৱা নহল। কহিমাখন ঠাহে ঠাহে ৬০০০ফুট ওখ। ইয়াত প্রায় ৮০০ মান সৈন্য থাকে, সিহঁতব কুচকাওৱাজ সদায় নিয়মিত ভাবে হয়। ইয়াত কছাবী ঘব, পোষ্ট অফিচ, টেলিগ্রাফ অফিচ আৰু ডাক্তবখানা আদি সকলো আছে। ইয়াত এজন পলিটিকেল চাহাব, এজন এচিষ্টেণ্ট পলিটিকেল চাহাব, এজন চব্‌ডেপুটি কালেক্টৰ আৰু এজন ই, এ, চি, আছে। তেওঁলোকেই সকলো কাম চলায়। ডাক্তব বিচাব আদি পলিটিকেল চাহাবে কবে। ইয়াব অধিবাসী নগাই বেছি, তাব উপবি কেইজন মান মাৰোৱাবী মহাজন, কেইজন মান বঙালী আৰু অসমীয়া মানুহো আছে। নগাবোবে বেছিকৈ অসমীয়াকহে ভাল পায়। কিন্তু দুখব বিষয় তাত অসমীয়াব প্রতি অসমীয়াব অলপো ভাল ভাব নাই।

৩

নগা কেবা বিধবো আছে। দোৱানো সিহঁতব ভিন ভিন। তাব ভিতবত আঙ্গামি, কেচানগা, ঠেঙানগা কুকি নগা, বিংমানগা, মনিপুবীনগা নগকানগা আৰু আওনগাই প্রধান। আঙ্গামি কেচানগা আৰু পকা নগাব সাজপাব হৈছে কলা নেঙটি, বগা বা কলা নাইবা বঙা বা কলা বঙব কাপোব চাদবব নিচিনাকৈ গাত লয়। চুলি কাটে, ডিজিত মনিপিন্ধে আৰু সক বগা শঙ্খ ডিজিত আবি লয়। বেতব কলা বংকবা থাকে আঠুব তলত পিন্ধে। হাতৰ দাঁতব অনন্ত পিন্ধে সিহঁতে দিনত চাবিবাবকৈ খায়। নগা মাইকীবোবেও গাত চাদব লয় আৰু আঠুব ওপবলৈকে মেখেলা পিন্ধি ফুবে। সীমানগা আৰু বিংমা নগাব সাজপাব বেলেগ ধবণব। সিহঁতে সক কলা কাপোব এটুকুবা পেটব তললৈকে ওলোমাই ককালত বান্ধি থয়। ককালত কাঠব খাপত দা বান্ধি থয়। বগা কড়িবে কাম কবা বগা চাদব গাত লয়। চুলি পাহ কটা, পিতলব থাক হাতত পিন্ধে আৰু মণি আদি

ককালত পিন্ধে। তিবোতাবো সাজ-পাব প্রায় একেই। মণিপুবী নগাব সাজপাব একেবাবেই বেলেগ। সিহঁতে ধুতি, কঁচুমিজ পিন্ধে, বেছকৈ অসমীয়া মানুহব দবে চুলি কাটে, খোৱা খোৱা উংকুই ধবণব। তিবোতা বোবে বগা মেখেলা বুকুত মেঠনি মাবে কুকিনগা বিলাকব সাজপাব হৈছে এহাত পবিমাণব কাপোব এডোখব ধুতিব দবে নেঙটি মাবি পিন্ধে, গাত একো নাই। সিহঁতে চুলি নাকাটে, তিবোতাবোবেও চুলি নাকাটে। কলা মেখেলা বুকুত মেঠনি মাবি পিন্ধে, বহুত বকমব মণি ভিন্নিত পিন্ধে। দিনত তিনিবাবকৈ



লঙ্ম নগা

খায়। আও নগাব সাজপাব হৈছে প্রায় সীমা নগাব দবে। মাত্র সিহঁতে কাণত পিতলব ডাঙব আঙঠি পিন্ধে সিহঁতব সাধাবণ ভাষা অসমীয়া, কাবণ এটা জাতব নগাই আন এটা জাতব নগাব কথা বুজি নাপায়, সিহঁতব যুদ্ধব অস্ত্র হৈছে যাঠি, দা, দেহুকাঁড় আৰু বব বব শিল। যুদ্ধব নিয়ম বব ভাল। যদি কোনো এটা খেলব নগাই আন এটা খেলব নগাব লগত যুদ্ধ কবিব লগীয়া হয়, তেতিয়া যুদ্ধ ক'ত, কোন তাবিখে কোন সময়ত কি অস্ত্রেবে হব তাক সিহঁতব ভিতবত জনাই দিয়ে। সিহঁতব

যুদ্ধ হয় এই কেইটা কাৰণত—প্ৰথম কোনোবাই যদি এক আঙুল পৰিমাণো কাৰবাৰ মাটি তাৰ নিজৰ সীমাৰ ভিতৰত আনে তেন্তে তাতেই বক্তাবক্তি কাণ্ড। যদি এটা খেলৰ ছোৱালী আন এটা খেলৰ কোনো ডেকাই নিয়ে তেতিয়া উভয় পক্ষৰ মাজত যুদ্ধ আৰম্ভ হব। এই বিলাকৰ উপৰিও সিহঁতৰ ভাল গুণ বহুত আছে, দিবোৰৰ পৰা আমি বহুত শিকিব পাৰো। সিহঁতৰ ভিতৰত একতা প্ৰধান গুণ। সিহঁতে সত্য পথৰ পৰা কেতিয়াও নিপিছলে শপত খোৱা সিহতৰ মনত বৰ ডাঙৰ। কছাৰীত প্ৰায়েই শপতেৰে বিচাৰ শেষ কৰে।

৪

তাতি গৱৰ্ণমেণ্টে বহুত নগা দৰমহা দি ৰাখিছে সিহঁতক দোভাষী বোলে। সিহঁতে গাৰত কোনো গোলমাল হলে আহি ৰব চাহাবক জনায়; তেতিয়া ৰব চাহাবে লগত



নৃত্যৰত নগা

চিপাহী দি গোলমাল কৰা মানুহ বিলাকক ধৰাই আনে। কোনোৱে কোনো দোষ কৰি নিজেই কছাৰীত ধৰব দিয়ে; যদি কাৰবাৰ নিয়ম মতে ডমাহ জেল হব লাগে আৰু যদি দোষী জনে নিজে বিচাৰ কৰি কয় এবছৰ হব লাগে, তেতিয়া সি এবছৰৰ জেল কাগজত নেলে-খোৱাকৈ নেৰে। যদি কোনো দোষীয়ে কয় যে সি নিৰ্দ্দোষী তেতিয়া সি শপত খালেই তাৰ মুক্তি। সিহঁতে হাহিমুখেৰে কাৰাবৰণ কৰে। এই পৰ্ব্বতীয়া অসভ্য নগাবোৰ কিমান সৰল আৰু সত্যবাদী।

৫

সিহঁতৰ খেতি-বাতিৰ বিষয়ে অলপ কওঁ। পৰ্ব্বতীয়া ঠাইবোৰ শিলেৰে ভৰা। সেই শিলবোৰ নাগিনীবোৰেৰে পিঠিত একোটা কেচুৰা বান্ধি খান্দি উলিয়াই মাটি চাহ কৰে। খেতি কৰিবলৈ হলে পানী লাগে। পৰ্ব্বতীয়া ঠাই পানী পৰিলেই বাগৰি যায়। সেই দেখি ২ ফুট অন্তৰে অন্তৰে জপলাৰ দৰে মাটি তুলি ভেটা দিয়ে। পৰ্ব্বতত ভূমি বহুত, তেনেকুৱা ভূমিৰ পৰা সৰু সৰু পানীৰ লোৰ কাটি নিজৰ নিজৰ খেতিত পানী জোগায়। একেজনেই ভূমিৰ পৰা পানীৰ লোৰ নাকাটে। কোনো এটা নগাই জানিবা ভূমিবলৈ গ'ল, তাৰ অলপ ভূৰ লবৰ মন গল। তেতিয়া সি জানো বহি ভূৰ লব? কেতিয়াও



(কেহিমা) দূৰৈত কছাৰীঘৰ আৰু সৈন্যাগাৰ

নহয়, আগেয়ে মিটো পানীৰ লোৰ আন নগাই কাটিছিল, তাৰ পথাই সি আৰু অলপ দূৰ গিৰিহঁতক নজনোৱাকৈকে, জাতিৰ উপকাৰৰ অৰ্থে কৰ্ত্তব্য ভাবি কাটে। আমি নিজক সভ্য সভ্য বুলি গৌৰৰ কৰো সচা, কিন্তু আমাৰ ভিতৰৰ কেইজন এনে উদাৰ মনৰ হম আৰু স্বজাতিৰ

উপকাৰৰ নিমিত্তে এনেকুৱা কাম কৰিম। কেতিয়াও নকৰো, বৰং পাৰিলে অপকাৰ কৰিবলৈহে চেলু বিচাৰিম। সিহঁতে সাজ-পাৰৰ মাজেদি যি দৰে নিজৰ জাতীয়তা অক্ষুণ্ণ ৰাখিছে, এই সভ্য জাতিয়ে তাৰ দহাংশৰ একাংশও ৰাখিব পাৰিছেনে নাই সন্দেহ। কিন্তু আজি কালি তাত স্কুল হোৱাৰ পৰা ক্ৰমাগয়ে এই জাতীয়তা ভাব শিথিল হৈ আহিছে। তাত মিশ্ৰন স্কুল এখন, মাইনৰ স্কুল এখন, পাঠশালা স্কুল দুখন আৰু এটি টেকনিকেল স্কুল আছে। সকল স্কুলতেই নগা লৰাছোৱালীয়ে একেলগে পঢ়ে। মিশ্ৰনত বেছিভাগ ছোৱালী, বাকীবোৰত অসমীয়া বঙালী আৰু আন আন জাতিৰ লৰাও পঢ়ে। তাৰ স্কুলবোৰত ইংৰাজী আৰু অসমীয়াৰে শিক্ষা দিয়া হয়। সাধাৰণতে নগা ছোৱালীবোৰে বিয়া নোহোৱালৈকে চুলি কাটি থাকে কিন্তু বিয়াৰ পিছত চুলি ৰাখিবই। মিশ্ৰনৰ ছোৱালী বোৰে আৰু বিবিলাক দৃষ্টিয়ান হৈছে সিহঁতে চুলি



নগা পাহাৰৰ ৰাজধানী (কেহিমা (

ৰাখিবই লাগিব, লাগে বিবাহিতাই হওক আৰ অবিবাহিতাই হওক। কিন্তু ছোৱালীবোৰে অসমীয়া বিহা-মেখেলা পিন্ধিবলৈ যোৱা দেখিলে প্ৰত্যেক অসমীয়াই গৌৰৰ বোধ কৰিব। সকলোৱেই স্কুললৈ যাওঁতে বিহা মেখেলা পিন্ধি যায়, কোনেও শাৰী নিপিন্ধে। পাঠক যদি আশুনি কেতিয়াবা নগা পাহাৰলৈ যায় তেতিয়া এই দৃশ্যটিলৈ অলপ লক্ষ্য কৰিবচোন, কি অপাৰ্থিব সুখ আৰু গৌৰৱে আপোনাৰ হৃদয় পুলকিত কৰিব। সাজ-পাৰৰ মাজেদি আজি সভ্য জগতৰ কেই জনে নিজৰ জাতীয়তা ৰক্ষা কৰিছে। হাঁয়! আমি বোলে সভ্য আমি বোলে মানুহ।

যদি মনুষ্যত্ব বিচাৰে, সৰলতা বিচাৰে, তেন্তে দেখা পাব এই অসভ্য পাহৰা জাতিৰ মাজত সি বিৰাজ কৰিছে। আজি আমি স্বৰাজ লাগে লাগে কৈ চিৎকাৰি ফুৰিছো, কিন্তু প্ৰকৃততে স্বৰাজ পাবলৈ হলে এই অসভ্য জাতিকেই আমি আদর্শ মানি লব লাগিব। সিহঁতৰ পৰা একতা শিক্ষালাভ কৰিব লাগিব, তেহে যদি আমি স্বৰাজ পাবৰ উপযুক্ত হওঁ।

৬

সিহঁতৰ অতিথি সৎকাৰ বৰ অদ্ভুত ধৰণৰ। যাক আমি লাউপানী বোলো, তাক কয় সিহঁতে মধু। যদি কোনোবা মানুহ সিহঁতৰ ঘৰলৈ যায়, তেতিয়া সেই মধু লাউ খোৱাৰ পাত্ৰত আনি দিয়ে, যদি অতিথিয়ে তাক গ্ৰহণ নকৰে সিহঁতে মৰণান্তিক অপমান বোধ কৰে। সেই কাৰণে বস্তিলৈ যাবলৈ হলে লাউপানী নোখোৱা মানুহে সেইঠাইৰ চিনাকি মানুহ এজন লগত লৈ যাব লাগে, তেওঁ যদি আগেয়ে গিৰিহঁতক কয় যে, এওঁ মধু নেখায় তেতিয়া হলে কেতিয়াও নিদিয়ে। কিন্তু দিলে খাবই লাগিব। সিহঁতৰ ঘৰৰ পৰা বুঢ়ালৈকে কোনোৱে পানী নাখায়, পিয়াহ লাগিলে এই মধু হেপাহ পলাই খায়।

৭

খোৱালোৱা সিহঁতৰ বৰ লেতেৰো। সিহঁতে নোখোৱা বস্তু একো নাই। সিহঁতৰ প্ৰধান খাদ্য গৰু, কুকুৰা, বেং ভাত নানাবিধ পোক-পকৰা অধিক শাক-পাচলি ইত্যাদি। সিহঁতে সদায় ভাত নাবান্ধে, একেদিনাই পাচদিন মানৰ জোখাই চাউল সিজায় আৰু তাকে নিতৌ খায়। ডালি, মছলা, হালধি ইত্যাদিৰ ব্যৱহাৰ নাজানে। সিহঁতে পানী উতলাই বনবীয়া গছ পাত এসোপা তাত পেলাই দিয়ে যেতিয়া পানী খিনি বঙা বা নীলা বং ধৰে তেতিয়া

নমাই লোগ আৰু জলকীয়াৱে সৈতে পৰম তৃপ্তিৰে ভোজন কৰে। ৰবমাখি পোক সিহঁতৰ প্ৰধান খাদ্য। এইবোৰ অথাদ্য খায়ো সিহঁতৰ স্বাস্থ্য কেনে সুন্দৰ। ভোজনৰ তৃপ্তিয়েই ইয়াৰ প্ৰধান কাৰণ বুলি বোধ হয়। এইবোৰ চাই-চিতি নগা পাহাড়ত ৭ দিন আছিলোঁ। সময় দিছিল মাত্ৰ ১ সপ্তাহ, সেই কাৰণে ২৩ তাৰিখে দুপৰীয়া ভাত পানী খাই ১৲ টকা ভাড়া দি বাচ্ এখনত উঠিলোঁ। ৩ বজাত কহিমা গেট এবিলে। ৪টা বজাত বঙামাটিৰ ভঙা পাহাৰ পালোঁ। মাল বস্তু পাৰ কৰাতে ৫টা বাজিল। ৫টা বজাত গাৰী এবিলে, গধূলি ৭ বজাত ডিমাপুৰ পালোঁহি। মোৰ ইচ্ছা আছিল ৯ বজাৰ গাৰীত ডিব্ৰুগড়লৈ অহা, কিন্তু দাস কোম্পানীৰ মেনেজাৰ বাবু সুৰেশ চন্দ্ৰ ধৰৰ অনুৰোধ এবাৰ নোৱাৰি বাধ্য হৈ ৰাতি ১২টাৰ গাৰীত আহিব লগাত পৰিলোঁ। ওৰে ৰাতি বেলত আহি ১০ বজাত তিনচুকীয়া পালোঁ। তাৰ পৰা ডিব্ৰুগদীয়া বেলত উঠি দুপৰীয়া ১২ বজাত ডিব্ৰুগড় পালোঁ। কহিমা জেলৰ জেইলৰ শ্ৰীযুত কীৰ্ত্তিনাথ হাজৰিকাৰ পৰা নগা পাহাড় বিষয়ে বহুতো কথা জানিব পাৰিলোঁ। ডাক্তৰ ৰড়াৰ পৰাও বহুত সহায় পাই-ছিলোঁ, আৰু তেখেতৰ আলহী স্বকপে মোক যি আদৰ সাদৰ দেখুৱালে, তাক পাহৰা টান। এই ছেগতে তেওঁলোকৰ প্ৰতি শলাগৰ শৰাই আগ ৰঢ়ালোঁ।

———

বিভ্ৰাট

গল্প—

শ্ৰীযুত তাৰকচন্দ্ৰ শৰ্ম্মা

১

নীলমণি কৰ্ম্মকাৰ হৰিগঞ্জৰ সোণাৰী এজন। তেওঁ ওৱাহাটীত কেইবছৰ মান কাম কৰিছিল; পিছে তাত ভালদৰে জীৱিকা নচলাত গোলাপপুখুত গড় পাতিলেগেঁ। গোলাপপুৰ নলবাৰী থানাৰ পৰা ১২ মাইল দূৰৈ। সেই অঞ্চলৰ অসমীয়া সোণাৰীবিলাকতকৈ নীলমণিৰ গড় ভাল আছিল। ইয়াৰ উপৰিও তেওঁ সোনকালে আৰু নিয়মিত সময়ত মানুহক অলঙ্কাৰ গঢ়াই দিছিল, আজি দিম কালি দিম কৰি কাকো অনাহকত হাইৰাণ নকৰিছিল। এইবোৰ কাৰণত নীলমণিক সকলোৱে ভাল পাৱলৈ ধৰিলে আৰু তেওঁৰ কাৰবাৰো সুন্দৰকপে চলিল। কেইবছৰমানৰ ভিতৰতে নীলমণিৰ হাতত হাজাৰচেৰেক টকা জমা হ'ল।

২

১৮৫২ শকৰ কথা। জগতজুৰি অৰ্থসঙ্কট উপস্থিত। পচিমীয়া দেশবোৰে মুদ্ৰানীতিৰ পৰিবৰ্ত্তন সাধিলে। ফলত, সোণৰ দাম অতিপাতকৈ চবিল। সাময়িক কাগজ পত্ৰত লগত সমন্ধ নৰখা গোপালপুখুৰ মানুহে এই কথাৰ ভু পোৱা নাছিল। ইফালে মৌজাদাৰৰ মাল কোবোকৰ, মাটি নিলামৰ তাপত বক্ষা নাপাই, মানুহে তিৰোতাৰ হাতৰ কাণৰ নীলমণিত আধামূলে বেচি, আৰু কোনোৱে অতিৰিক্ত সুতত বন্ধক দি, ছকাৰী দায় সাৰিবলৈ ধৰিলে। এই সুযোগে নীলমণিৰ হাতত আৰু হাজাৰচেৰেক টকা ৰাহি কৰি দিলে,

৩

অলঙ্কাৰ কিনা আৰু বন্ধক ৰখা এই ব্যৱসায়ত নীলমণিৰ বেছি লাভজনক হৈ উঠিল। অলঙ্কাৰ গঢ়াৰলৈ তেওঁ অলপ অলপ কৰি চিলাই আনিছিল। যিবোৰ অলঙ্কাৰ নীলমণিয়ে ৰাখিছিল তাৰ এটা কৰাল আছিল। যেনে পোন্ধৰ দিন, কুৰি দিন বা এনে এটা নিৰ্দ্দিষ্ট দিনত বন্ধকী গহনা খালচ নকৰিলে তাৰ পিছত সুতে মূলে টকা দিলেও তাক ঘুৰাই নাপাব। অনেক মানুহে কৰালমতে গহনা খালাচ কৰিব পৰা নাছিল। কোনোবাই কৰালৰ পিছত টকা আনিলে নীলমণিয়ে তাক হাতেৰে মুছুইছিল। এইদৰে বহুত বন্ধকী অলঙ্কাৰ নীলমণিৰ নিজস্ব সম্পত্তি হৈ পৰিল।

যথেষ্ট ধন উপাৰ্জ্জন কৰিবলৈ পোৱাত নীলমণিৰ মন বাঢ়িবলৈ ধৰিলে। কেইবা তোলাও সোণ থকা ভাঙৰ বন্ধকী অলঙ্কাৰ বোৱৰ ছমাহ, সাতমাহ বা এনে দীঘলীয়া খাতা আছিল। আকৌ সময়মতে অলঙ্কাৰ গঢ়ি দিব নোৱাৰাত, অলঙ্কাৰ গঢ়াবলৈ দিয়া সোণো ভালেখিনি নীলমণিৰ হাতত গোট খাইছিল। এই সমস্তকে কেনেকৈ আত্মসাৎ কৰিব পাৰি, তাৰে তেওঁ উপায় চিন্তিবলৈ ধৰিলে।

৪

এদিন ৰাতিপুৱা নীলমণি নলবাৰী থানালৈ গৈ এখন এজাহাৰ দিলে। এজাহাৰত লিখা আছিল যে, যোৱা ৰাতি সিন্ধি খানি তেওঁৰ ঘৰত চোৰ সোমাইছিল আৰু লোহাৰ চন্দুক মেলি, তাৰ ভিতৰত থকা হাত বাকচৰ পৰা প্ৰায় তিনহাজাৰ টকা মূলাৰ অলঙ্কাৰ আৰু ভিৰি সোণ, আৰু নগদে নোটে প্ৰায় ৫০০৲ টকা চোৰে চুৰ কৰি নিলে। এজাহাৰ পাই দাৰোগা চক খাই উঠিল। "বাৰু গৈছোঁ, আপুনি আগবাঢ়ক" বুলি তেওঁ নীলমণিক পঠিয়াই দিলে।

৫

অকল গোপালপুখুত নহয়, ওচৰ চুবুৰীয়া গোটেই কেইখন গাৱঁতে হুলস্থূল লাগিল। চুৰিৰ খবৰ পোৱা-মাত্ৰে নীলমণিৰ ঘৰ লোকাৰণ্য হ'ল। যাৰ-যাৰ অলঙ্কাৰ নীলমণিৰ হাতত আছিল, সেইবিলাকে হায় হায় কৰি-বলৈ ধৰিলে। যিবিলাক বেছি ক্ষতিগ্ৰস্ত হ'ল সেই বিলাকৰ দুই চাৰিজনে চকুলো মচি কান্দিবলৈ ধৰিলে। সকলোতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ল গোপালপুখুৰ ৰবিলোচন বাগু আৰু ৰতনপুখুৰ উমা গোসাঁই। ৰতনপুখু এৰি আহি গোপাল পুখু পায়। এই দুখন গাৱঁৰ ব্যৱধান তিন মাইল। উমা গোসাঁই নিম্ন প্ৰাইমাৰী স্কুলৰ হেড পণ্ডিত। সেই কাৰণে চুৰিৰ খবৰ পায়ো স্কুল এৰি তেওঁ ঘটনাৰ থললৈ ৰাতিপুৱা আহিব পৰা নাছিল।

৬

লগত দুজন কনষ্টেবল লৈ দাৰোগাই এজাহাৰ তদন্ত কৰিবলৈ দহোটামান বজাত আছিল। সমুদয় লাগতিয়াল কথা তদন্ত কৰি তেওঁ এজাহাৰকাৰীক কলে "আপোনাৰ ঘটনা বৰ গুৰুতৰ; ক্ষতিৰ পৰিমাণো বৰ বেছি। এই ঘটনা তদন্ত কৰিবলৈ শীঘ্ৰে ইনিচপেক্টৰ আৰু পুলিচ চাহাৰ আহিব—মই বেগট কৰিম।"

ৰবি এজন বুদ্ধিমান বামুণৰ লৰা। তেওঁ মেট্ৰিক পাছ কৰি কলিকতাৰ ছাঞ্চেজেল মেডিকেল স্কুলত পঢ়িছিল। এতিয়া ফাইনেল দি আহি ঘৰতে আছে। পৰীক্ষাৰ ফল ওলোৱা নাই। ৰবিৰ মনত দৃঢ় ধাৰণা যে এই চুৰিৰ ঘটনাটো নীলমণিৰ চালাকি। বহুদিন আগৰে পৰা তেওঁ নীলমণিৰ গ্ৰাহকৰ লগত আচৰণ, সোণ কিনা-বেচা আৰু বন্ধক ৰখা পদ্ধতি আৰু অন্যান্য কথাৰ গতি-বিধি ভালকৈ লক্ষ্য কৰি আহিছিল। এইবোৰ দেখি-শুনি ৰবিৰ মনত খেলাইছিল যে, নীলমণিৰ অন্তৰত নিশ্চয় কুমতলব সোমাইছে।

তদন্তৰ অন্তত ৰবিয়ে দাৰোগাক তেওঁৰ ঘৰলৈ ৰাতি নি পঢ়া কোঠালীত ৰহিবলৈ দিলে। লগতে ক্ষতিগ্ৰস্ত হোৱা বুঢ়া বামুণ দেউপতি, হৰনাথ আৰু আদহীয়া গোসাঁই চন্দ্ৰধৰো গল। ৰবিয়ে চাৰিটা বানবাটিত চাহ আনি টেবুলত থলে। চাৰিউজনে চাহ খাব ধৰাৰ লগে লগে কিছু কথা-বতৰা হ'ল। শেহত ৰবিয়ে কলে "দাৰোগা বাবু! আপুনি ভালকৈ মন কৰিব, এই ঘটনা কেতিয়াও সঁচা হব নোৱাৰে। আপোনাৰ তদন্তত অযৌক্তিক কথা ভালেমান নিশ্চয় ধৰা পৰিছে। নীলমণিৰ গতিবিধিলৈ লক্ষ্য কৰি আমি ডাঠি কব পাৰোঁ, কোনো চোৰে সিন্ধিও বনা নাই আৰু চুৰো কৰা নাই। নীলমণিয়ে সিন্ধিটো খানি অলঙ্কাৰ পাতি আৰু ৰূপ বান বাকচবপৰা আঁতৰাই ৰাখিছে। সিন্ধিটোৰ জোখ লোৱাত যদি ভুল হোৱা নাই, তেন্তে দেখা পাৰ, সিন্ধিটো এজন মানুহ ওলোৱা কৰিব পৰাতকৈ সৰু হৈছে। মানুহক প্ৰতাৰণা

কৰিবলৈ সি এইখন ছবভিসন্ধি সাজিছে। বাক যাওক সেইবোৰ। ঘটনাটোৰ বিষয়ে ওপৰৰালাইলে আপুনি টেলিগ্ৰাম্ কৰিব নহয় নে ?"

দাৰোগা—এৱা। এতিয়া বিদায় লওঁ—বেলি হৈছে।

ৰবি—ইয়াতে ভাত খৱাবলৈ দিছোঁ। গা ধোৱক।

দাৰোগা—নালাগে। ৰতনপুৰত হে খাবৰ বন্দৱস্ত কৰি থৈ আহিছোঁ। এতিয়া আহোঁ হে।"

দাৰোগা কনিষ্টবল দুজনে সৈতে ৰতনপুৰলৈ গ'ল। পাছে-পাছে ৰবিও গ'ল।

৭

দাৰোগাক লগ পাবলৈ উমা গোসাই বাটত ওলাই চাই আছিল। তেওঁৰ লগত আৰু চাৰিজনমান গাৱঁৰ মেলকি বিধৰ গোসাঁই বামুণ আছিল। ৰৰ আদৰ কৰি উমা গোসাঁয়ে দাৰোগাক তেওঁৰ ঘৰলৈ নি চৰাশৰত বহৱালে। সকলো কেইজনে ঘটনাৰ সমন্ধে দাৰগা বাবুক নানান কথা বুজাবলৈ ধৰিলে। উমা গোসাঁইৰ ঘৰত চাহৰ প্ৰচলন নাছিল। অতিথি সুধিবলৈ বুলি তেওঁ বোকাচাউল ভিজাই থৈছিল আৰু বাথানৰপৰা আনাসৰ-তোলা মহৰ গাখীৰ অনাই ৰাখিছিল। উমা গোসাঁয়ে বাটত বোকা চাউল সাজি আনি সকলোকে খাবলৈ দিলে। জলপান খোৱা হোৱাৰ পিছত উমা গোসাঁয়ে দাৰোগাক কলে—"আপুনি নীলমণিৰ গুপ্ত বহস্তৰ নিশ্চয় সন্ধেদ পাইছে। আমি আটায়ে লগ লাগি কাম-কাজ দি তাক অৱস্থাপন্ন কৰি তুলিলোঁ। এতিয়া সিয়েই আমাক ঠগবলৈ কাৰবাৰ কৰিছে। তাৰ অন্তৰত কিবা বিষাদ লগা যেন বুলি আপুনি ভাবে নে ? যিখিনি বিষাবদৰ চিন তাৰ গাত ফুটি উঠিছে সি অস্বাভাৱিক। দুখীয়া ৰায়তৰ অতখিনি ধন যাতে সি খাব নোৱাৰে, তাৰে হে আপুনি দিহা কৰিব, সাধী-চাবুদ যি লাগে, তাত আপোনাক সহায় কৰিবলৈ আমি সাজু আছোঁ।"

দাৰোগা—আপোনালোকৰ সাহায্য পালে এই ঘটনাৰ সুবিচাৰ হব। নীলমণিৰ চতুৰালি ইয়াত নাখাটিব। কিন্তু সকলো কথা নিৰ্ভৰ কৰে প্ৰমাণৰ ওপৰত। ওপৰৰালাৰ তদন্তত যি ফল হয় হব; মই আৰু এই তদন্তত লিপ্ত নাথাকোঁ। ভাল কথা। এতিয়া বিদায় মাগিছোঁ।

উমা—দ্বিপৰীয়াৰ অতিথিক সুগুণ্ডাকৈ বিদায় দিব নাপায়। গা ধোৱক।

দাৰোগা—মই বফিইতৰ তাত গাম। বাক মোৰ চিপাহী দুইজনকে আপুনি অনুগ্ৰহ কৰি খুৱাওক। মই আহিলোঁ।

দাৰোগাৰ কথা শুনি গোটেই ঘৰ মানুহ কাঁহ-পৰি-জীৰ গ'ল, উমা গোসাঁইৰ শৰীৰত এনে এটা ঝিনকা লাগিল—তেওঁৰ মুৰ যেন ঘুৰিবলৈ ধৰিলে। সকলোবে ওঁঠ শুকাল। চিপাহী দুজনক তাতে এৰি দাৰোগা বাবু বফিউদ্দিনৰ ঘৰলৈ গ'ল। বফিৰ ঘৰ ৰতনপুৰৰ এমুৰে মছলমান মহাত। দাৰোগা ঘৰৰপৰা ওলাই মোৱাৰ লগে লগে সকলোটি তেওঁৰ ফালে চাই স্তম্ভিত—চকুত নিমিখ নাই।

দাৰোগা দৃষ্টিৰ আঁৰ হলত, খণ্ডত ৰঙা পৰি উমা গোসাঁয়ে কবলৈ ধৰিলে—"এই মেলেছ বাজাৰ দিনত জাতি কুল সব গ'ল! সামান্য দাৰোগা এটাৰ হিন্দুধৰ্ম্মৰ ওপৰত ইমান অত্যাচাৰ! বাক, দেখা যাব।" ঘৰৰ ভিতৰত থকা বামুন গোসাঁই কেইজনক উদ্দেশ কৰি তেওঁ কলে—"এতিয়া ঘৰাঘৰি যোৱাইক। আমাৰ এই ৰুগ্ন্তান্ত গোপনে ৰাখিবা। ব্যৱস্থা আনি উদ্ধাৰ-প্ৰায়শ্চিত্ত হব লাগিব।" সকলোৱে মুখ চোৰাচুই কৰি গ'ল। থাকিল মাথোন ৰবি লোচন।

উমা গোসাঁইৰ মাত বোল নাই। আঠুৰ মাজত মুৰটো গুজি কিবা ভাবি আছে। ৰবিয়ে 'অসমীয়া' খনৰ পাত লুটিয়াই আছে। হঠাৎ তেওঁৰ চকু পৰিল এটা প্ৰবন্ধত—"অসমত বীমা কোম্পানী আৰু তাৰ পৰিণতি'। কোনোবা এজন সংবাদদাতাই এই প্ৰবন্ধত লিখিছে যে শ্ৰীযুত ৰাৰঘৰীয়াই অসমত বীমা কোম্পানী এটা প্ৰতিষ্ঠা কৰিবলৈ ওলাই কাগজে পত্ৰে ধাৰাবাহিক প্ৰবন্ধ লিখিছিল। পিছে, আজি এবছৰে তাৰ কোনো চিন-মোকাম নেদেখি সংবাদদাতাৰ মনত সন্দেহ হৈছে যে

সঁচাকৈয়ে তেখেতে ৰীমা-কোম্পানী প্ৰতিষ্ঠা কৰিব খুজিছিল নে, অসমত ৰীমাসাহিতাৰ আভাস হে দিলে। সময়ৰ উপযোগী প্ৰবন্ধ দেখি তাক পঢ়িবলৈ ৰবিৰ। ৰৰ আগ্ৰহ হৈছিল; কিন্তু তেওঁ তাত মনোযোগ বহুৱাব নোৱাৰিলে। এনেতে "ভাত খাবৰ হৈছে, পিতা!" বুলি উমা গোসাঁইৰ ৯ বছৰীয়া জীয়েক শ্ৰীমতী ফুলে পিতাকক খবৰ দিলে। "নাখাওঁ যা" বুলি জীয়েক ফুলক উমা গোসাঁয়ে ডাবি মাবি দিলে। ফুল থমকি উঠিল। অলপপৰ পিছতে কিছু সংযত হৈ বাপেকে-কান্দোমুৱা জীয়েকৰ ফালে চাই কলে—"মা, সৌ চিপাহী দুটাক ভাত দিওঁলে কগৈ।" চিপাহী দুটাৰ ফালে ঘুৰি চাই তেওঁ সুধিলে—"তোমালোক কি কুলীয়া মানুহ?" চিপাহী দুটাই উত্তৰ দিলে—"আমি ৰাজবংশী, পবভু!"

—ৰাক মোৱাচোন, ভাত খাই আহাগৈ।

চিপাহী, দুটাই হাত-ভৰি ধুই ছৰ্কাৰী পাওঁবি খহাই থলে আৰু ভাত খাবলৈ ডাঙৰ ঘৰ সোমাল।

উমা গোসাঁয়ে আঞ্চাৰ মুখখন তুলি ৰবিৰ ফালে চাই চিঞৰি কলে—"এই গৰিয়াৰ বিকল্প আইন-আদালতৰ সহায় লব নোৱাৰি নে ?"

ৰবি—পাৰি। পিছে, দাৰোগা হ'ল ছৰ্কাৰী মানুহ।

উমা—হ'ক ছৰ্কাৰী মানুহ! ছৰ্কাৰী মনুহৰ বাবে আইন বেলেগ নেকি? সিহঁতে বে-আইনী কাম কৰিব পাৰে নেকি ?

ৰবি—আইন সকলোবে বাবে একে; কিন্তু বিচাৰৰ তাৰতম্য আছে। আৰু ঘাইকৈ, ছৰ্কাৰী মানুহৰ বিচাৰত অবিচাৰ হয় দেখিহে সুন্দৰীদিয়াৰ কীৰ্ত্তন-ঘৰত পুলিচ চাহাবে সেই আগচু ঘটনাটো কৰিবলৈ সাহ পাইছিল। তথাপি উকীলত পৰামৰ্শ লোৱা ভাল।

উমা—বলা তেন্তে, আজিয়েই এই চাৰি বজাৰ গাখীত ওৱাহাটীলৈ যাওঁ। দুঘোটা ঘটনাবে উকীলত বুদ্ধি লব লাগে। এই চিপাহী দুজনৰ হতুৱাই দাৰোগাৰ ওপৰত সাখী কোৱাব পাৰিলে কেছটো আমাৰ পক্ষে বলৱান হব। থাই আহক দিয়া; সিহঁতৰ নাম দুটা নথৰে সৈতে টুকি ৰাখিম।

চিপাহী দুজনে খাই আছিল। উমা গোসাঁয়ে পেটৰ পৰা সিহঁতৰ নম্বৰ দুটা লিখি ৰাখি সুধিলে—"তোমালোকৰ নাম কি, কবা নে ?" ৩১৫ নং চিপাহীটোৱে কলে—"মোৰ নাম গোৰৰ্দ্ধন বসুমাতাৰি আৰু ইয়াৰ নাম মতিৰাম ব্ৰহ্ম।"

আচৰিত হৈ ৰবিয়ে মাত লগালে—"তোমালোক কছাৰী মানুহ ?"

চিপাহী—হয় দেউতা। আমাৰ ঘৰ কোকৰাঝাৰত। উমা গোসাঁই বজ পৰা মানুহৰ দবে হ'ল। কিছু বেলিৰ মুৰত তেওঁ জুইৰ দবে বঙা চকু দুটা পকাই দাত চোবাই চিপাহী দুটাক কলে—"তহঁত যদি কচাৰী মানুহ, তেনেহলে ৰাজবংশী বুলি কৈ মোৰ মঙহ খালি কিয়? কোচবিলাক হে ৰাজবংশী, তহঁত কেতিয়াৰ ৰাজবংশী।"

চিপাহী—"পবভু! কচাৰীবো বজা আছিল। আমি ৰজাৰ জাতি দেখি হে ৰাজবংশী বুলি কৈছোঁ। ঘটোৱেকচ কচাৰী বজা আছিল। এতিয়া আৰু পবগাম হে। আমি বিদায় হলোঁ।"

সেৱা জনাই চিপাহী দুজন ওচি গ'ল। ৰবিয়ে শুৰু হৈ ওপৰৰ ফালে চাই থাকিল। কিংকৰ্ত্তব্যবিমূঢ় উমা গোসাঁইৰ গাত কোনোমতে হে সংজ্ঞা আছিল।

৮

সেইদিনা চাৰি বজাৰ গাখীত উমা আৰু ৰবি দুজনা ওৱাহাটীলৈ ওচি গ'ল। বাৰ্ডতে বেলত উমা গোসাঁয়ে ৰবিক কলে—"ৰবি! আমাৰ এই অঞ্চলত তুমিয়েই শিক্ষিত। তুমি বহুত ডাঙৰ-ডাঙৰ সমাজ দেখিছা; কলিকাতা, ঢাকা, কাশী আদি বহুত ডাঙৰ-ডাঙৰ ঠাই দেখিছা; বহুত ডাঙৰ-ডাঙৰ মানুহৰ লগত ফুবা-চকা কৰিছা; তুমি আগতকৈ বহুগুণে চালাক-চতুৰ আৰু বুদ্ধিমান হৈছা। কিন্তু আজিৰ ঘটনাই তোমাক চালাক চতুৰ, বুদ্ধিমান আৰু শিক্ষিত বুলি প্ৰমাণ কৰিব নোৱাৰিলে।"

"কিয়, জ্ঞাৰ!" অতি নম্ৰভাবে ৰবিয়ে উত্তৰ দিলে। ৰবি উমা গোসাঁইৰ ছাত্ৰ আছিল।

—চোৱাচোন কেনেকৈ আজি আমাৰ জাতি—মহত্ মৰিল। ইয়াত মোৰ দোষৰ ভাগ কিমান? গড়মূৰীয়া গোস্বামীৰ দৰে পুৰুষেও য'ত অস্পৃশ্যতা বৰ্জ্জনৰ অ-টোকে সুমাব নোৱাৰিলে তাতে আজি গৰীয়া কচাৰীয়ে ঘৰ সোমাই জাতি-কুল মাৰি থৈ গ'ল। তুমি অন্ততঃ দাৰোগাৰ পৰিচয় লোৱা উচিত আছিল।

"— উচিত আছিল হয়; আৰু মই ললোঁও হেঁতেন। কিন্তু এটা কথা। মই আহিলোঁ সিদিনা হে কলিকতাৰ পৰা। আপোনালোকে ইয়াত চিৰকাল আছে। আজি যেতিয়া দাৰোগা আমাৰ ঘৰলৈ নিওঁ, তেতিয়া দেউপতি আতাইঁতো লগত আছিল। তেওঁলোকেই চাহ আন, চাহ আন লগাই দিলে। চাহ আনি দিলোঁ; সকলোৱে খালে। তেওঁলোকে দাৰোগাক চিনি নাপায় বুলি ভাবিবলৈ মোৰ কিবা কাৰণ আছে নে?

"—কাৰণ যে নাই এনে নহয়। এওঁ অলপতে হে নতুনকৈ আহিছে। সৰ্ব্বেশ্বৰ বৰা কেতিয়াবা বদলি হ'ল। আমি আগেয়ে এওঁক কতো দেখা নাই। আৰু চেহাৰাতো এওঁক মছলমান বুলি চিনিব নোৱাৰি; ফটফটকৰে বগা; মুছলমানৰ দৰে তলৰ ফালে ডাঁঢ়িও ৰখা নাই! মই পৰিচয় লব খুজিছিলোঁ; পিছে তুমি লগত অহাৰ বাবে নললোঁ; গড়মূৰীয়া গোস্বামীয়ে যে আমাৰ মিটিঙত কৈছিল যে সকলো জাতি একাকাৰ হব, এতিয়া কথাটো ফলেই যেন পাওঁ।

"সিদিনা আমাৰ মিটিঙত অস্পৃশ্যতা বৰ্জ্জন বিষয়ত তেখেতক বাধা দিয়াত মই হলে একহিচাপে ভাল পাইছিলোঁ। কাৰণ, গড় মূৰীয়া গোস্বামীৰ মূল নীতি কি মই তাক এতিয়াও বুজিব পৰা নাই। তেখেতে সংঘটোৰ নাম দিছে অস্পৃশ্য সেৱক সংঘ। কিন্তু এই সংঘক ঘাইকৈ শুদ্ধিৰ কাৰ্য্য কৰা হে দেখি ছোঁ।

অস্পৃশ্যতা বৰ্জ্জন আৰু শুদ্ধি এই দুটা একেটা কথা নহয়। অস্পৃশ্যতা বৰ্জ্জনৰ অৰ্থ হৈছে ছোৱাছুইত দোষ থাকিব নালাগে বা কোনো উচ্চ জাতিয়ে কোনো নীচ জাতিৰ লগত জলচল বা আহাৰ কৰিলে তেনে জাতিৰ জাত যোৱা হব নালাগে। শুদ্ধিৰ অৰ্থ হৈছে অন্য ধৰ্ম্মৰ মানুহক শৰণ দি নিজৰ ধৰ্ম্মলৈ অনা। আজিকালি কিছুমান গোসাঁয়ে নিজৰ শিচ বঢ়াবলৈ লালুং, মিকিৰ কুলী ইত্যাদিৰ শৰণ দি ফুৰিব ধৰিছে। গড়মূৰীয়া গোস্বামীয়েও যদি একে উদ্দেশ্যেৰেই শুদ্ধি প্ৰচাৰ কৰিব ধৰিলে তেন্তে আমি কবলৈ বাধ্য যে অস্পৃশ্যতা বৰ্জ্জন আন্দোলনত তেখেতৰ সুকীয়া স্বাৰ্থ আছে।"

অস্পৃশ্য সেৱক সংঘৰ সম্পাদক ডাঙৰীয়া মূৰে গায় কাপোৰ লৈ সেই কোঠালীৰে এচুকত 'চান্ ফ্লাৱাৰ' এটা হুপি বহি আছিল। সংঘৰ প্ৰচাৰ কাৰ্য্যত তেখেত গুৱাল পৰালৈ গৈছিল আৰু সেই দিনা গুৱাহাটীলৈ ঘূৰি আহিছে। তেখেতে গহীনাই মাত লগালে—"হেৰি গোসাঁই দেউ আৰু শৰ্ম্মা দেউ। সেই দিনৰ তৰ্কখান আজি আৰু পাতিব নোখোজোঁ। কিন্তু উচিত বিবেচনা কৰি খদ্দৰ লওঁ বোলা কথাটো হলে আজি আপোনালোকৰ সৰ্ব্বশৰীৰ চাই অনুচিত বিবেচনা কৰিছে বুলি কবলৈ বাধ্য হলোঁ।" মুখৰ চুৰুটটো কোনেও নেদেখাকৈ নুমাই চোলাৰ জেপত ভৰাই কথা কোৱাৰ লগে-লগে সম্পাদক ডাঙৰীয়া উঠি আহি এওঁলোকৰ কাষত বহিল।

ৰবিয়ে ধীৰভাৱে সম্পাদক ডাঙৰীয়াৰ কথাৰ চমু উত্তৰ এটা দি আন কথাত লাগিল। ৰবিয়ে কলে—"সম্পাদকদেৱ! পিলিখি চাওক, এই দুটা শৰীৰত বিদেশী কাপোৰৰ দহি এডালো নাপায়। খাদি-প্ৰতিষ্ঠানৰ, অন্ধ্ৰৰ বা আহম্মদাবাদৰ খদ্দৰ পিন্ধা যি, বঙ্গলক্ষ্মী কটন মিলৰ, বোম্বে কটন মিলৰ নাইবা লাহোৰ কটন মিলৰ কাপোৰ পিন্ধাও সেই। ই নিৰন্ন অসমীয়াৰ মুখত গৰাহ তুলি নিদিয়ে। অসমীয়াই নিজ-হাতে খদ্দৰ উৎপন্ন নকৰিলে অনা-অসমীয়া খদ্দৰো বিদেশী কাপোৰ। বিদেশী কাপোৰক ঘিণ কৰা যিদৰে উচিত, প্ৰকৃত দেশপ্ৰেমিকে অনা-অসমীয়া খদ্দৰকো সম্পূৰ্ণৰূপে ঘিণোৱা উচিত। প্ৰতাৰক কোম্পানীৰ বিদেশী সঁজুলিৰে তৈয়াৰ কৰা দেশী চাব মাৰা চুৰট বা আন বস্তু ব্যৱহাৰ কৰা ভণ্ড স্বদেশিকতা বৰ বিপজ্জনক।"

যথাসময়ত ৰেলৰপৰা নামি উমা গোসাঁই, আৰু ৰবিয়ে শম্ভুনাথ উকীলৰ ঘৰলৈ গল।

৯

শম্ভুনাথ গুৱাহাটীৰ এজন নাম জলা উকীল। মামলা মোকৰ্দ্দমাৰ বাজেও নানা বিষয়লৈ নানা জনে তেওঁৰ ঘৰত অহা যোৱা কৰি থাকে। ৰঙিয়াৰ ভবানী প্ৰসাদ ন্যায়ভূষণ উকীলৰ ঘৰত কিবা এটা কামৰ কাৰণে উপস্থিত আছিল। তেওঁ নলবাৰীৰ সনাতনীদলৰ শিৰোমণি শ্ৰীযুত গোলকেশ্বৰ শাস্ত্ৰীৰ খুলশালীয়েক।

উমা গোসাঁই আৰু ৰবিলোচনে যেতিয়া শম্ভুনাথ উকীলক বিষয়টো বুজাই কলে তেতিয়া কথাবিলাক মন দি শুনিছিল। তেওঁৰ চকুৰেদি যেন এটা আনন্দৰ জিলিঙনি বিৰিঙি পৰিব ধৰিলে।

উকীলে কিন্তু কথাষাৰ শুনি বৰ সুবিধা নেদেখিলে। কাৰণ কি দাৰোগা কি কনিষ্টবল কোনেও স্বইচ্ছাত কোনো মতলব কৰি ঘৰত সোমোৱা নাছিল। নিজৰ ভুল বা মূৰ্খামীৰ দণ্ড নিজকে লব লাগিব। * * *

* * * *

গুৱাহাটীৰ কথা এইখিনিতে ওৰ পৰিলেও উমা আৰু ৰবিৰ আপদৰ ওৰ নপৰিল! গোলকেশ্বৰ শাস্ত্ৰীদেৱে খুলশালীয়েকৰ চিঠিত সকলো বিবৰণ জানিব পাৰি সমাজৰ পৰা দুয়োকে পতিত কৰি থলে। তেওঁলোকৰ ধন যোৱাতকৈ জাতলৈ হে চিন্তাত পৰিল। ভগবানে সুযোগ আৰু সুবিধা দিলে, অদৃষ্ট ভাল হলে আকৌ ধন আহিবলৈ কিমান দিন লাগিছে। কিন্তু জাত—ধৰ্ম্ম! তাৰ গতি কি হব? বাধ্য হৈ উমা আৰু ৰবি দুয়ো মিলি কিছু টকা লৈ দাৰোগা আৰু কনেষ্টবল দুজনক ভেটি দি—ঘৰত খোৱাৰ কথা অস্বীকাৰ কৰিবলৈ অনুৰোধ কৰিলে।

* * * *

নীলককৰ্ম্মকাৰৰ ঘৰত চুৰি প্ৰমাণ হল। যিখিনি সন্দেহজনক বিষয় আছিল সিখিনি দাৰোগাৰ ওপৰৱালা আহিবৰ আগতে সাৰি থৈ দিছিল। মানুহে কব ধৰিলে 'জাত-জাত' কৰি গোলমাল কৰাৰ কাৰণে দাৰোগাই অপমান পাই খং কৰি নীলমণিক সহায় কৰিলে। তাৰ ওপৰত দাৰোগাৰ ঘৈনীয়েকেও নীলমণিৰ ঘৈনীয়েকৰ পৰা কিছু অলঙ্কাৰ ভেটি পাইছিল বুলিও দুষ্ট লোকে ফুচ্ ফুচ্কৈ কৈ ফুৰিব ধৰিলে।



গ্ৰহণ আৰু পৃথিবীত থকা মানুহৰ ওপৰত তাৰ প্ৰভাৱ

—শ্ৰীযুত কৃষ্ণ দত্ত হাজৰিকা বি-এছ-চি,

হিন্দু পৌৰাণিক শাস্ত্ৰাবলম্বী লোক সকলে সাধাৰণতঃ শাস্ত্ৰৰ নিৰ্দ্দেশ মতে সকলো কাৰ্য্যতে নিয়মানুৱৰ্ত্তী হৈ চলিবলৈ যত্ন কৰে। গতিকেই এই শ্ৰেণীৰ সকলো মানুহেই বিশেষকৈ সকলো হিন্দুৱেই চন্দ্ৰগ্ৰহণ, সূৰ্য্যগ্ৰহণৰ দিনটোত ব্ৰত পালন কৰে আৰু স্নান, হোম যজ্ঞ, পূজা, অৰ্চ্চনা কৰি পৱিত্ৰ বাৰ্ষিক উৎসৱৰ স্মৰণীয় দিন হিচাবে পালন কৰে। এই ৰীতি যুগ যুগান্তৰৰ পৰা প্ৰচলিত হৈ আহিছে আৰু হিন্দু জাতিৰ অস্তিত্ব থকালৈকে চলি থাকিব বুলি আমাৰ বিশ্বাস। কিন্তু এই দিনত বিশেষকৈ কিয় ব্ৰত পালন কৰি সকলো কাম কাজৰ পৰা জিৰণি লৈ পাপাত্মাৰ পৰা নিস্কৃতি পাবলৈ ঈশ্বৰ উপাসনা কৰিব লাগে তাক শাস্ত্ৰজ্ঞ সকলে যুক্তি তৰ্কেৰে পুঙ্খানুপুঙ্খৰূপে বুজাই বুজাই দেখুৱাই দিয়া নাই বা বুজাবলৈকো যত্ন কৰা নাই। বোধকৰোঁ এই কাৰণেই এই খিনিতে পৌৰাণিক শাস্ত্ৰবিদ আৰু তথা কথিত আজিকালিৰ সভ্যজাতিৰ লোক সকলৰ লগত মতভেদ। তথাকথিত সভ্য জাতিৰ লোক সকলে পৌৰাণিক শাস্ত্ৰজ্ঞ সকলৰ বিধান মতে চলিব নোখোজে আৰু শাস্ত্ৰৰ সকলোবিলাক বিধান বিশ্বাসযোগ্য বুলি মানি লোৱা নাই। তেওঁলোকে কয় যে চন্দ্ৰগ্ৰহণ, সূৰ্য্যগ্ৰহণ এটি জ্যোতিষিক অপূৰ্ব্ব দৃশ্য (Astronomical phenomenon) আৰু এই বিষয়ে যথেষ্ট বিশ্বাসযোগ্য প্ৰমাণ কৰি দেখুৱাইছেও। বৰ্ত্তমান সভ্যজগতত, বিশেষকৈ বিজ্ঞানৰ ক্ৰমোন্নতিৰ যুগত কোনো তথ্য তত্ত্ব আবিষ্কৃত হলেই তাৰ সত্যৰ মূল কাৰণ অনুসন্ধান কৰে। বৈজ্ঞানিক যুক্তিৰ দ্বাৰা সত্যৰ মূল কাৰণ প্ৰমাণিত কৰিব পাৰিলেহে তাক মানি লয় বা গ্ৰহণ কৰে। বিজ্ঞানৰ আভাষ প্ৰত্যেক মানুহেই দৈনন্দিন জীৱনত পাবলৈ সুযোগ পাইছে। সকলোৱে দেখিছে আৰু ভাল দৰে জানে যে চুম্বকে এডোখৰ লোক সহজে আকৰ্ষণ কৰে। এডোখৰ সৰু চেপেটা, দুই মূৰ জোঙা পাতল লোক আকৰ্ষক মধ্যন্দিন (Magnetic meridian) ৰেখাত ওলোমাই ৰাখি আন এডোখৰ চুম্বকেৰে লাহে লাহে দুবাৰ মান ঘহিলেই তৎক্ষণাৎ এই চেপেটা লো ডোখৰ চুম্বক ধৰ্ম্মী (magnetised) হয়।

ইয়াৰ পৰা আমি ভালকৈ বুজিব পাৰোঁ যে পৃথিবীও চুম্বক ধৰ্ম্মী বিশেষ। এই সূত্ৰে আমি পৃথিবীখনকো এখন চুম্বকৰ বৃহৎ স্তূপকায় বুলি কব পাৰো। বৈজ্ঞানিক সকলে আকৰ্ষক ৰেখাৰ (magnetic line) প্ৰতিষ্ঠাতা (intensity) দেখুৱাই এই বিশ্বজগতৰ আকৰ্ষক মানচিত্ৰ (magnetic map) তৈয়াৰ কৰি দেখুৱাইছে। গ্ৰহণ কালত কেনেকৈ চন্দ্ৰ, সূৰ্য্য আৰু পৃথিবীৰ (magnetism) বিশেষ ভাবে পৰিবৰ্ত্তন ঘটে। আৰু চিকিৎসা বিষয়ক শাস্ত্ৰজ্ঞ সকলেও প্ৰমাণ কৰি দেখুৱাইছে যে চুম্বকত যি অনুপাতে লো বিস্তাৰ কৰে সেই অনুপাতে মানুহৰ শৰীৰত থকা তেজতো লো মিশ্ৰিত ভাবে থাকে। মানুহৰ শৰীৰত থকা তেজৰ আটাইবিলাক অনুপৰমানু লোৰ কণাৰে একত্ৰিত আৰু ৰক্তপ্ৰৱাহিত, নাড়ি বা ৰগ্ বিলাকেও লো খণ্ড (iron-bars) হিচাবে কাৰ্য্য কৰে। তেজৰ প্ৰত্যেক বিন্দুতে লোৰ কণা মিশ্ৰিত ভাবে আছে। তেজত লোৰ কণা যিমান পৰিমাণ থাকিব লাগে তাতোকৈ কম থাকিলে চিকিৎসক সকলে লৌহ মিশ্ৰিত ঔষধ সেৱন কৰিবলৈ বিধান কৰে। এনে ৰোগীক "Anaemia" ৰোগত ভুগিছে বুলি ঘোষণা কৰে। গতিকে পৃথিবীৰ আকৰ্ষণ শক্তিৰ প্ৰভাৱ লো আৰু মানুহৰ ওপৰত কেনে ভাবে জড়িত তাক সকলো বিজ্ঞান পঢ়া লোকেই ভাল দৰে উপলব্ধি কৰিব পাৰিছে।

"When magentic change is taking place on the earth, magnetisation is possible in iron or human body simply by keeping them in magnetic meridian" অৰ্থাৎ যি দৰে পৃথিবীত আকৰ্ষণ পৰিবৰ্ত্তন (magnetic change) ঘটে সেই দৰে লো বা মানুহৰ শৰীৰ আকৰ্ষক মধ্যন্দিন ৰেখাত (magnetic meridian) ৰাখি সহজে চুম্বক ধৰ্ম্মী কৰিব পৰাটো সম্ভৱপৰ।

মানুহৰ শৰীৰত চুম্বক ধৰ্ম্মৰ প্ৰভাৱ বিস্তাৰ কৰিলেই শৰীৰৰ অৱস্থা সঙ্কটজনক হৈ উঠে। শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ বিলাক সৱল আৰু সতেজ কৰি ৰখাৰ ঘাই কাৰণ তেজ। তেজ চুম্বক ধৰ্ম্মত (magnetised) পৰিণত হলে সুচাৰুৰূপে চলাচল কৰিব নোৱাৰা ভাগ ডোখৰ শিথিল হৈ পৰে আৰু ক্ৰমাৎ শুকাই ক্ষীণাই যায়। শেষত সেই অঙ্গ ডোখৰ অকামিলা হৈ পৰে। তেতিয়া চিকিৎসক সকলে সেই ৰোগক পক্ষাঘাত (paralysis) বুলি কয়।

গ্ৰহণ কালত যেতিয়া পৃথিবীৰ (magnetism) আকৰ্ষণশক্তি পৰিবৰ্ত্তন হয়, চুম্বক ধৰ্ম্মলৈ পৰিণত কৰিব পৰা যি বস্তুৱেই সামান্য ভাবে আকৰ্ষণ মধ্যন্দিন ৰেখাত (magnetic meridians) অৱস্থান কৰে বা সোমায় সেয়ে চুম্বকধৰ্ম্মী হৈ পৰে। এই আকৰ্ষক মধ্যন্দিন ৰেখা (magnetic meridian) উত্তৰৰ পৰা দক্ষিণলৈ সমতল ৰেখাৰ ওপৰত এটা কোণ কৰি অৱস্থান কৰি আছে। দৈবাৎ কোনো মানুহৰ অঙ্গ বা কোনো মানুহ এই ৰেখাৰ ভিতৰ সোমালেই সেই অঙ্গ ডোখৰ চুম্বক ধৰ্ম্মী হয়। সূৰ্য্য কপলীয়া, আধা কপলীয়া ইত্যাদি বিলাক ৰোগত সচৰাচৰ মানুহে ভোগে আৰু তাৰ প্ৰতিকাৰ হিচাবে দৈবজ্ঞ সকলে সূৰ্য্য পূজা, চন্দ্ৰ পূজাৰ বিধান দিয়া আমি দেখোঁ। গতিকেই এই সঙ্কটজনক অৱস্থাৰ পৰা হাত সাৰিবৰ কাৰণে শাস্ত্ৰজ্ঞ সকলে সকলো প্ৰাণীকে গ্ৰহণৰ কালত ভগবানৰ নাম লৈ দৈহিক কাৰ্য্যৰ পৰা জিৰণি লৈ পূজা উপাসনা আদি কৰিবলৈ বিধান দিছে কেৱল যে কাম এৰি পূজা উপাসনা আদি কৰিব লাগে এনে নহয় শৰীৰৰ ভিতৰত হজম কৰিব পৰা অঙ্গ প্ৰত্যঙ্গ বিলাকো সকলো কামৰ পৰা জিৰণি দিব লাগে যাতে এই সঙ্কটজনক অৱস্থাত নপৰে। সেই কাৰণেই গ্ৰহণৰ তিনি ঘণ্টাৰ পূৰ্ব্বে আহাৰাদি কৰিব লাগে আৰু কায়মনোচিত্তে নিজৰ আত্মাক ভগবানৰ ওচৰত নিয়োজিত কৰিব লাগে।•

* মিঃ জাভানিৰ ইংৰাজী প্ৰবন্ধৰ আভাষ লৈ লিখা—লিখক।

তৃষ্ণা

—শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বি-এল

জেঠ মাহৰ চোকা ৰদত ডেই পুৰি থকা বালি দেখিছানে। তাৰ ওপৰত এছাটি পানী মাৰি চোৱা নিমিষতে সেই পানীৰ চিন লোপ পাব। কিমান তৃষ্ণাতুৰ সেই বালিখিনি! এই উৎকৎ পিয়াহ গৰ্ভত লৈয়েই এই বালিবিলাকে সতৃষ্ণচিত্তে বাৰিষাৰ দান অপেক্ষা কৰিছে। যেতিয়া ধাৰাসাৰে বৰষুণ দি প্ৰকৃতিয়ে সজীৱ ৰূপ ধৰে তেতিয়া এই বালিৰ ৰং কোনে চায় ইহঁতে তেতিয়া চিৰ সঞ্চিত তৃষ্ণাৰ উপশম কৰি আনন্দত আপোন পাহৰা হয়। বহুতদিনৰ পৰা অন্তৰত সাঁচি থোৱা আকাঙ্ক্ষা পূৰণ কৰি বালিয়ে তেতিয়া প্ৰকৃত জড় ৰূপ ধাৰণ কৰে।

বালিৰ ওপৰত প্ৰকৃতিৰ শুভদৃষ্টি ক্ষন্তেকীয়া। তাৰ পিছত জেঠৰ বাৰখৰে আকৌ চাৰিওফালে জুইৰ ফিৰিঙতি ছটিয়ালে। যিহে প্ৰচণ্ড তাপ, কেনিও ওলাব নোৱাৰি

নৈৰ বহল পাৰটোত সিচঁৰতি হৈ থকা বালিৰাজ্যত আকৌ হাঁহাকাৰ লাগিল। প্ৰত্যেক বালি চাঁহিটোৱে আতুৰ হৈ কনকনাবলৈ ধৰিলে। বালিৰ নিৰ্জ্জীৱ ৰূপ সজীৱ হল। কিমান তৃষ্ণাৰ বোজা অন্তৰত লৈ এই বালিয়ে তেতিয়া প্ৰকৃতিৰ করুণাজল বিচাৰিলে। এই অপূৰ্ণ তৃষ্ণাৰ অসহ্য যন্ত্ৰণাত বালিয়ে কেনেকৈ সজীৱ ৰূপ ধাৰণ কৰিলে।

তপত বালিৰ উৎকট তৃষ্ণা মাদুহৰ অপূৰনীয় হেঁপাহৰ ক্ষীণ আভাস মাথোন। লৰাৰ পৰা বুঢ়ালৈকে সকলো নৰমনিচে এই হেপাহ অন্তৰত সাঁচি থৈ তাৰ পূৰ্ণতা বিচাৰে। এই হেপাহত মানুহৰ অন্তৰাত্মা আতুৰ হৈ থাকে। তৃষ্ণাতুৰ মানৱৰ লক্ষ্য হৈছে সত্য। এই সত্যৰ স্পৃহাত অন্তৰত হাঁহাকাৰ লাগে, তাৰ হেপাহে মানৱাত্মাক আতুৰ কৰে। বাৰিষাৰ প্ৰতি বালিৰ যি হেপাহ মানুহৰ সত্যস্পৃহাৰ লগত তাৰ তুলনা নহয়। সত্যৰ অন্বেষণে মানুহক চিৰ জাগৃত একাগ্ৰ আৰু সংযত কৰে। এই সত্যৰ স্পৃহা অন্তৰৰ নিভৃত কোণত সাঁচি লৈ প্ৰত্যেক মানৱে উৎকট তৃষ্ণাৰ উপশম কৰিবলৈ সংসাৰ যাত্ৰা কৰে। কেনে অদম্য তৃষ্ণা! কি প্ৰচণ্ড শক্তিৰে গঠিত এই অপূৰণীয় আশা!

মানৱজীৱনৰ ঘাই স্বৰূপ হৈছে তৃষ্ণা। তৃষ্ণাতুৰ মানৱ জীৱন্ত। যি মানৱৰ তৃষ্ণা লোপ পাইছে, তেনে মানৱ জীৱন্ত নোৱোলে। তৃষ্ণাহীন জীৱন জড়বস্তুৰ নিচিনা। এই তৃষ্ণা যতদিন থাকে ততদিনে জীৱৰ লক্ষণ প্ৰকাশ পায়। তৃষ্ণাৰ অৱসানৰ আন নাম মৰণ। সূৰ্য্যৰ তাপে বালিক যেনেকৈ তৃষ্ণাতুৰ কৰে, তেনেকৈয়ে একাগ্ৰচিন্তাই মানুহৰ অন্তৰৰ ক্ষীণ তৃষ্ণাক সৱল আৰু সতেজ কৰি লয়। চিন্তাৰ একাগ্ৰতাই সুপ্ত তৃষ্ণাক সজীৱ আৰু কাৰ্য্যক্ষম কৰে। বালিৰ ওপৰত সূৰ্য্যৰ তাপৰ যি প্ৰভাৱ, মানৱ জীৱনৰ ওপৰত একাগ্ৰ চিন্তাৰো তেনে প্ৰভাৱ। একাগ্ৰচিন্তাৰ সহায়ত নিস্তেজ তৃষ্ণা প্ৰচণ্ড শক্তিমান হয়।

একাগ্ৰতা ঘিউ আৰু তৃষ্ণা জুই। এই দুয়োৰে সংযোগত যি শক্তি উৎপাদন হয় সেয়েই যুগ যুগান্তৰ মানৱ জীৱনক গঢ়ি তুলিছে। একাগ্ৰতাৰ সংযোগত তৃষ্ণা প্ৰৱল আৰু পটু হৈ পৰে। সেই উৎকট তৃষ্ণাক বুকুত বান্ধি তেতিয়া মানুহে সত্যৰ উপলব্ধি কৰিবলৈ অপেক্ষা কৰে। কত লক্ষ কোটি মানৱে এই সৃষ্টিৰ পাতনিৰে পৰা এই তৃষ্ণাৰ উপশম কৰিবলৈ চেষ্টা কৰিলে। কিন্তু ক'তা এই তৃষ্ণা অপূৰণীয় অনন্ত আৰু অসীম। সত্যৰ ক্ষীণ জ্ঞান-শলিতাৰে এই হেঁপাহৰ জুই নুমুৱা দূৰে থাওক, তাক কেৱল দপ্‌দপ্‌ কৰি জ্বলায় মাথোন। "হবিষা কৃষ্ণবৰ্ত্মেৱ ভূয়োঽপি অভিবৰ্দ্ধতে। নোপশান্তয়ে॥" জ্ঞানৰ লাগনি খৰিয়ে তৃষ্ণাক অধিকতৰ প্ৰৱল আৰু তীক্ষ্ণ কৰে মাথোন। সত্যৰ অপূৰণীয় তৃষ্ণা বুকু তলৈ যি লক্ষ্যকোটি মানৱৰ দেহ মাটিত ধূলি ময় হ'ল সেই মাটিৰ প্ৰত্যেক বালি চাহিটোৱে সেইহে আজিও প্ৰৱল তৃষ্ণাত বাৰিষাৰ দানৰ কাৰণে আঁতুৰ হৈ থাকে।

তৃষ্ণাতুৰ মানৱজীৱনৰ ঘাই কণ্টক অবিদ্যা। অন্ধকাৰে যেনেকৈ চকু থকাকো চকুহীণ কৰে, অবিদ্যায়ো তেনেদৰে তৃষ্ণাতুৰ জীৱনকো তৃষ্ণাহীন যেন দেখুৱায়। অবিদ্যাৰ প্ৰভাৱত অপূৰণীয় তৃষ্ণাশক্তি সুষুপ্ত হয়। মন্ত্ৰত বশীভূত হোৱা সাপৰ দৰে অবিদ্যাৰ আলম লৈ তৃষ্ণাশক্তি তন্দ্ৰাযুক্ত হৈ থাকে। এই অবিদ্যাৰ ঢাকনি কাটিবলৈ অমোঘ অস্ত্ৰ জ্ঞানৰ জুই! জ্ঞানৰ সামান্য ফিৰিঙতি একোটায়ে অবিদ্যাৰ জাল খণ্ডবিখণ্ড কৰিবলৈ সমৰ্থ হয়। জ্ঞানৰ শলিতাৰ ক্ষীণ পোহৰ পালেই অবিদ্যাৰ মায়াজাল উৱঁলি যায়। জ্ঞানৰ জুই দি অবিদ্যাৰ জাল গুচালে যি তৃষ্ণাশক্তি জাগৃত হ'ব সেই তৃষ্ণাত আতুৰ হ'লেহে সত্যৰ উপাসকৰ প্ৰকৃত ৰূপ ওলায়। নৰজীৱনৰ লক্ষ্য অচলতে সেয়েই। জ্ঞানৰ জুইৰে অবিদ্যাৰ ঢাকনি গুচাই উৎকট তৃষ্ণাশক্তিৰে অনুপ্ৰেৰিত হৈ প্ৰত্যেক নৰ মনিচে কেৱল সত্যৰ অন্বেষণ কৰে। সেই সত্য কেতিয়া উপলব্ধি হব, কেতিয়া প্ৰৱল তৃষ্ণাৰ উপশম হ'ব আৰু তৃষ্ণাৰ উপশম হলে কেতিয়া নিৰ্ব্বাণ লাভ হ'ব তাৰ উত্তৰ নাই।

ভ্ৰান্তি ভেদ

গল্প—

—শ্ৰীযুত যুগল কুমাৰ দাস, বি-এছ ছি

চন্দ্ৰই বি-এ পাছ কৰাৰ পিছতে চিলঙৰ চেক্ৰেটৰিয়েট অফিচত সোমায়। চন্দ্ৰ তেতিয়া মেচত থাকে। মেচৰ মেম্বৰ প্ৰায় দহজন মান। তেওঁলোক আটায়ে চাকৰিৱাল।

সিদিনাখন চন্দ্ৰই সকলোতকৈ আগেয়ে অফিচৰ পৰা ঘৰলৈ উভতিছিল। ঘৰ পায়েই চুটজোৰ নোখোলাকৈয়ে চিঞঁৰি উঠিল, "কং টিফিন আন"। এই বুলি বিছনা-খনত দীঘলদি পৰিল।

কং সেই মেচৰে এজনী খাচিয়ানী। তাইৰ নাম ক্লেচ। কিন্তু চিলঙত খাচিয়ানী বোৰক কং বুলি মতাই দস্তুৰ। কং মানে বাইদেউ। ক্লেচ এতিয়াও গাভৰু। দেখিবলৈ অতি ধুনীয়া নহলেও বেছ শুৱনী। পৰ্ব্বতৰ ৰঙাফুলত হওঁতে বয়সে অলপ মলিনতা আনিছিল। কথাতে কয় তিৰোতাৰ বোলে কুৰি হলেই বুঢ়ী।

ক্লেচে চাহ একাপ আৰু দুখনমান বিস্কুট প্লেট এখনত লৈ আহিল। চন্দ্ৰই কিন্তু দেখিলে ক্লেচৰ মুখখন আজি যেন অলপ গম্ভীৰ। চন্দ্ৰই ধহমহকৈ উঠি কোটটো সোলোকালে। তাৰ পিছত হাত পাত ধুবলৈ আৰু অপেক্ষা কৰিবলৈ নহ'ল। চাহখোৱাত লাগি গ'ল। চাহ খাই আছে; লগতে বোধ হয় অফিচত কি কি কৰিলে তাৰ এটা দৈনন্দিন হিচাব নিজকে নিজে দিব লাগিছে। শেষ বিস্কুটখন কামোৰ মাৰি মূৰ দাঙি দেখিলে ক্লেচে খিৰিকীৰ ওচৰতে থিয় দি আকাশৰ ফালে চাই কিবা কিবি ভাবিব লাগিছে। মুখখন মৰা।

চন্দ্ৰই সুধিলে—"কং কি হ'ল অ' তোৰ?"

ক্লেচে এবাৰ চালে; কিন্তু আকৌ মুখ ঘূৰাই নিলে। মাতবোল একো নিদিলে।

চন্দ্ৰই আকৌ সুধিলে,—"এই কং কি হৈছে ক' না?"

ক্লেচে ইবেলি মাত দিলে; তাই কলে,—

"বাবু মই আৰু আপোনালোকৰ ইয়াত কাম নকৰোঁ।"

"কিয়?"

"নকৰো।"

বাৰু নকৰ যদি নকৰিবি, যা। কিন্তু কি হৈছে কচোন। দৰমহা বেছি লাগে নেকি?"

"দৰমহাৰ কথা নহয় বাবু। কিন্তু—"

"কিন্তু মানে কি? ৰলি কিয় আকৌ। ক—"

ক্লেচ বহুতপৰ নিমাত হৈ ৰ'ল। এনেতে চন্দ্ৰৰ চাহ খোৱা শেষ হ'ল। কাপপ্লেট জোৰ অলপ ঠেলি দি কলে, "হো লৈ যা"

ক্লেচে কাপপ্লেট জোৰ নিবলৈ আহিল। মেজৰ পৰা কাপপ্লেট জোৰ নিয়াৰ লগে লগে কৈ গ'ল—

"ইয়াত থাকিলে মোৰ মান ইজ্জত সকলো যাব।"

"মান ইজ্জত সকলো যাব? বোলো কি হৈছে খুলি কচোন।"

ক্লেচৰ যেন মাতটো অলপ ক্ষীণ, কিন্তু চোকা শুনা গ'ল। তাই কলে,

"মোক বৰা বাবুই বাৰু কিয় এই বিলাক কথা ক'ব? আজি তেওঁ অফিচলৈ সকলো বাবুতকৈ পলমকৈ গৈছে, আৰু মোক এই বিলাক কথা কয়! মই চাকৰি কৰিব আহিছোঁ কিন্তু মান ইজ্জত বেচিবতো অহা নাই!"

এই বুলি কৈ কৈ পাগ্‌ঘৰ পালগৈ। চন্দ্ৰই কাপোৰ সলাই সলাই ক'বলৈ ধৰিলে,

"অ বুজিলো, সকলো বুজিলো। আমাৰ বিপিন বৰা! বি—পি—ন ব—ৰা।"

বাতি বিছনাত পৰি শোৱাৰ আগতে চন্দ্ৰই কিন্তু ভাবিলে যে ক্লেচে তাইৰ এই কথাটো কলে কিয়? আৰু অইন কাৰবাৰ কৈছিল নে?

২

মেচৰ অইনবোৰ মানুহতকৈ ক্লেচে চন্দ্ৰক অলপ বেছি খাতিৰ কৰে—এই কথা চন্দ্ৰই নিজেও বেছ গম পাইছিল। চন্দ্ৰই এই কাৰণে কেতিয়াবা, কিছু আচহুৱা অনুভৱ কৰিলেও মাজে মাজে তাইলৈ বিশেষ চেনেহৰ চকুৰে নাই চোৱা বুলিলে মিছা কথা কোৱা হ'ব। ভাবিছিল অন্ততঃ "মোৰ প্ৰতি ক্লেচৰ এই ব্যৱহাৰৰ কাৰণ কি?"

এবেলি চন্দ্ৰৰ জ্বৰ হ'ল। দুদিন মান উঠি বহিয়েই থুবিছিল কিন্তু, আজ নোৱাবিলে, শয্যাগত হ'ল। অইন বোৰ অফিচাৰ অফিচলৈ নগলেও নহয়। যিখিনি সময় খৰত থাকে তেওঁলোকে অসুদ পাতি খুৱায়, কথা-বতৰা হৈ থাকে। দুপৰীয়া ভাতপানী খাই উঠি মেচৰ বান্ধনী টোৱেই চন্দ্ৰৰ ওচৰতে মজিয়াত শুই ভাগৰ মাৰে। ইটো সিটো লাগিলে আনি দিয়ে।

সিদিনাখন বাতিপুৱাৰ পৰাই চন্দ্ৰৰ জ্বৰ খুব উঠিছে। ছটফটাই আছিল। অথচ অইন কাকো একো কোৱা নাই। ক্লেচে এবাৰ কাষেৰে যাওঁতে গম পালে যেন চন্দ্ৰই কেকাব লাগিছে। লাহেকৈ তাই সুধিলে,

"বাবু, আজি বৰ বেছি কৰিছে নেকি?"

"ঐ কং আজি অলপ বেছি বেয়া লাগিছে।

ক্লেচে মুখত হাত দি চালে, জ্বৰ সঁচাকৈয়ে বৰ বেছি। ভবিৰ কাপোৰখন চপাই দিলে, চন্দ্ৰই বেৰৰ ফালে মুখ কৈ পৰি থাকিল। ক্লেচ লাহে লাহে তাৰ পৰা গুচি গ'ল।

বাৰটামান বাজিছিল হয়তো। অইন অফিচাৰ বোৰ দহোটাতে সকলো কামলৈ গ'ল। চন্দ্ৰৰ বৰ পিয়াহ লাগিছিল বান্ধনীটোক মাতি আনি অলপ পানী দিবলৈ কলে। ক্লেচ কেতিয়াবাৰ পৰাই চন্দ্ৰৰ মুৰ শিতানত মনে মনে বহি আছিল, তাই কলে,—

"পিয়াহ লাগিছে নেকি?"

"কোন? কং নেকি?" এই বুলি মুৰ দাড়ি চাই আকৌ থাকত মুৰ দিলে।

তাই কলে "হয়।"

"কিয় আজি ঘৰলৈ নগলি?"

ক্লেচে সদায় দহোটা মান বজাত কাম কাজ কৰি যায়, আকৌ চাইটামান বজাত আহে।

তাই কলে, "নগলো।"

"কিয়?"

"আজি আপোনাৰ বৰ জ্বৰ, পানী দুনি লাগিলে দিৱঁতা কেও নাই দেখোন।"

"কিয় কং, ঠাকুৰতো আছিলেই!"

তাই একো নামাতিলে।

কথা কৈ থাকোঁতেই ঠাকুৰটোৱে পিয়লা এটাত অলপ গৰম পানী লৈ আহিল। ক্লেচে চন্দ্ৰক আগেবেৰে পানীখিনি খুৱাই দিলে। পানীখাই অলপ পৰ আছে, চন্দ্ৰই মাত লগালে, "কং"

"কিয় বাবু?"

"মোৰ মুৰটো বৰ বিষাইছে অলপ টিপি দে কং।"

ক্লেচে লাহে লাহেকৈ চন্দ্ৰৰ মুৰটো টিপি দিব ধৰিলে।

ক্লেচ চিলঙৰ এজনী দুখীয়া খাচিয়ানী ছোৱালী। শ্ৰমজীৱী, কাহিৰাতি ধোৱা, কাপোৰ ধোৱা, ঘৰবাৰী সৰা আদিহেঁতে হৈছে তাইৰ দৈনন্দিন কাম। কামে কাষে ক্লেচৰ সেই স্ত্ৰীসুলভ কোমলতা থাকিব দিয়া নাই। তথাপি ই তিৰোতাৰ হাত। চন্দ্ৰৰ মুৰৰ বিষ উপশম হৈছিল নে নাই ক'ব নোৱাৰে, কিন্তু বহুত অইন ভাৱনা চিন্তাই বিষৰ ভাব যে পাহৰাই পেলাইছিল ই নিশ্চয়।

৩

আজি বহুদিন হল ঘৰলৈ চিঠি পত্ৰ দিয়া নাই। বাতি শুৱা চাহপানী খাই চিঠি দুখন লিখো বুলি চন্দ্ৰই মেজৰ ওচৰলৈ গ'ল। এখন চিঠি লিখা শেষ কৰিলে; দ্বিতীয় খন লিখিব ধৰিছে এনেতে বিপিন বৰাই ধমধমাই

আহি চন্দ্ৰৰ পিঠিত চাপৰ এটা মাৰি ওচৰতে বহিল। বিপিনে কলে,—

"কি হে চন্দ্ৰ ভায়া খবৰ কি?"

"এই চিঠি দুখন লিখিব ধৰিছোঁ, বুজিছেনে।"

"বোলো কালৈ লিখা হৈছে?"

"ত'কনা পঢ়ি।"

"পঢ়িব পাৰিতো?"

"পাৰিব, পঢ়ক।"

বিপিনে তীক্ষ্ণ দৃষ্টিৰে প্ৰথমে লিখা কাৰ্ডখন পঢ়িবলৈ ধৰিলে। চিঠি খনত "চেনেহৰ মিনা" বুলি সম্বোধন কৰি লিখা হৈছিল। বিপিনে সুধিলে,

"মিনা কোন হে?"

"মোৰ ভাগিনী হয়।"

"কেনেকুৱা ভাগিনী বোলো?"

"কিয় বাইদেউ বা ভানীটৰ ছোৱালী; ভাগিনী কাক বোলে আপুনি হ'বলা নাজানে?"

জানো পাছে আজি কালি ভাগি বংশ অনেক প্ৰকাৰৰ জানাই নহয় বোলে,—

চেগ চাই পিৰীতি কৰিবা লাহৰি,
সময় চাই লগাবা মাত
অইনক দেখিলে ককাইটি বুলিবা,
অকলৈ বুলিবা নাথ।

"ছি ছি বৰা আপুনি মোক এই বোৰ কি কয়! আপুনি মোতকৈ কিমান বয়সীয়া।"

বিপিনে দেখিলে যে চুপতি কৰি বস জমাবৰ একো উপায় নাই গতিকে চিঠি খনকে পিতিকি পিতিকি পঢ়িবলৈ ধৰিলে। এঠাইত লিখা আছে,—

"মিনা, মাক কবা এই বছৰটোত মোৰ বিয়াৰ বন্দোবস্ত কৰিব নালাগে অহা বছৰলৈ পাবিলে দেখা যাব। ছোৱালী এই চিলঙৰে মাধব বৰুৱাৰ জীয়েক পুণ্য প্ৰভাৰ কথাকে লিখিছিলাতো? মাক কবা মোৰ বিশেষ আপত্তি নাই। তথাপি ভাবি চাই এমাহ মানৰ মুৰত খাতাং জবাব দিম বাক"—ইত্যাদি।

বিপিনে কলে,—কি হে চন্দ্ৰ তুমি দেখিছোঁ অতি মাদ্ধাতাৰ আমোলৰ লৰা।

—কিয়?

—বিয়া নো বাক তোমাৰ কৰিব লাগে কিয়? কি সঠখাবে খালে। মেদুত ভাত খাইছা বন্ধু বান্ধৱৰ লগত আমোদ প্ৰমোদ কৰিছা আৰু ক্লেচৰ লগত চুপতিও কৰিব পাৰা—তাই তোমাক মৰমো দেখোন অতিপাত কৰে। তথাপি বিয়া!

—হব পাৰে পাছে মই বিয়া কৰিব লাগিব, বুজিছেনে অন্ততঃ বুঢ়া আই বোপাইৰ কথা নেপেলাবলৈ। কিন্তু বৰা ক্লেচৰ লগত আপুনি এনে ব্যৱহাৰ কৰে কিয়? সিদিনাখন অফিচলৈ পলমকৈ যোৱাৰ ভাও ধৰি তাইক—

--'অ' ইতিমধ্যে সকলো বিপৰ্ট দিয়া হৈছে!

—বিপৰ্ট দিয়া হক নহক, কিন্তু তাইবোতো মান, ইজ্জত, লাজ-সজ্জা আছে। আপোনাবেই বা মান থাকে কত?

—থোৱা থোৱা লাজ ইজ্জত; তাইবো আকৌ লাজ ইজ্জত আৰু আপুনি কৰ খোজেনে যে সকলো তিৰোতাই সতী সাধ্বী? "পাছে কথা একেটাই, আপোনাৰ খাচিয়ানী এজনীৰ নাৰীত্বৰ প্ৰতি হেতিয়া অলপো শ্ৰদ্ধা নাই, আন নাৰীৰ সতীত্বলৈ আপোনাৰ শ্ৰদ্ধা থাকে কেনেকৈ?"

—থোৱাহে চন্দ্ৰ সতীত্ব এটা মানুহৰ তৈয়াৰী শব্দ। মানুহৰ কল্পনা ইয়াৰ কোনো মুল্য নাই।

—কিন্তু সমাজত আছে?

—সমাজ সমাজ বুলিয়েই তো ভাৰতখন তঁতলৈ গ'ল বাক বাক! এতিয়া চিঠি লিখা; তোমাৰ বিয়াখন হওক আশীৰ্ব্বাদ কৰিছোঁ, বিয়াখনতো খাব পাৰিম।

এই বুলি উঠি গুচি গেল।

৪

চন্দ্ৰৰ বিয়া হৈ গল চন্দ্ৰ প্ৰভাৰ লগতে। আজি তিনিমাহ মান হ'ল চন্দ্ৰ মেচত নাথাকে। শহুৰেকৰ ঘৰতে থাকি অফিচ কৰে।

ক্লেচেও চন্দ্রই মেচ এবি অহাব লগে লগে মেচব পবা কাম এবি দিছে। অইন কতো কাম নকবা বুলিয়েই অইনে সুধিলে কয়। ক্লেচ আক চন্দ্র দুয়োজন মেচব পবা যোৱা দেখি মেচব ডেকা মহলত এটা বেছ ৰগব হৈছে। বিপিনে এজনক কৈছিল—ক্লেচ আক চন্দ্রব সম্বন্ধ এতিয়া কেনে আছিল দেখিলি ভায়া।

ক্লেচ কিন্তু মাজে মাজে আবেলি চন্দ্রব শহুবেকব ঘবলৈ যায়। বিপিনব লগত কথা বতবা পাতে—বেছ খোলা মনেবে পাতে। কথা প্রায় খাচিয়া ভাষাতেই কয় কেতিয়াবা হিন্দুস্থানীবে। চন্দ্রই ভাল খাচিয়া কব পবা হৈছিল। খাচিয়া ভাষাবে কথা কলে পুণ্যই একো বুজি নাপায়। এদিন ক্লেচ যোৱাত পুণ্যই চন্দ্রক সুধিলে।

—বোলো আপোনাক তাই কি কলে?

—বহুত কথা কলে?

—কিহব কথানো!

—প্রেমব কথা?

—যাক্ এইটো—এই বুলি পুণ্যই গমাগমাই আঁতবি গ'ল।

* * * * *

এদিন চন্দ্রব বাপেকব পবা এখন চিঠি আহিল। বাপেকে লিখিছে "তুমি আক চাকবি বিদেশত কবিব নালাগে। মই বৃদ্ধ হলোঁহি। মোব ঠাইত তোমাকে থাকি লুতি বাগিছাব মেনেজাবি কামটো দিয়াব পাবিম বোধ হয়। মই চাহাবব লগত এই বিষয়ে কথা বতবাও হৈছোঁ। তুমি ইয়ালৈ আহিবলৈ যোগাব কবা। কাম কবাও হব ঘব চোৱাও হব। বিদেশত কাম কবিব আক নালাগে।

চন্দ্রই পাছ শহুবেকেবে সৈতে এই বিষয়ে কথা বতবা হল, পুণ্যকো সকলো কথা কলে। চন্দ্রব যাবলৈকে মন ঠিক হল। সেই মাহব আধকৰা দিন কেইটা গলেই কাম ইস্তফা দি ঘবলৈ যাব। এদিন ক্লেচক কথাত কথাই তেওঁলোকে খিলাং এবি যোৱাব কথা কলে। তাই প্রথমতে বিশ্বাস কবা নাছিল কিন্তু সচা বুলি যেতিয়া গম পালে, তাই কিছু গহীন হল।

তাব দুদিন মানব পিছত ক্লেচ আকৌ আহি হাজিব। চেগ বুজি চন্দ্রক তাই এবাব কলে,

"বাবু মোকো আপোনোলোকব দেশলৈ লৈ যাবা?"

"ইমান দূব, তই কেনেকৈ যাবি? সকলোকে যে এবি যাব লাগিব? আহো বুলিতো আহিবও নোৱাবিবি?"

"মোৰতো বাবু কোনো নাই।"

"কোনো নাই, তেন্তে কাবে সতে থাক?"

তাই অলপ পব বৈ কলে,—

"এজনী সম্বন্ধীয়া ভনীৰ লগত। মোকো লগতে নিয়ক বাবু!"

চন্দ্রই কিছু পব ভাবিলে। বহুত কথাই ভাবিলে। পিছত কলে,

"বাক যাবি যা; তোক দবমহা কিমান দিব লাগিব?"

"মি দিয়ে দিব বাক। মোব থাব পিন্ধিব পালেই হয়।"

"বাক সেইটো দেখা যাব। কিন্তু আমি সোনকালেই যাম। দুই তিন তাবিখ মানে। বুজিলি?"

বাতি শুবব সময়ত চন্দ্রই পুণ্যক ক্লেচক নিওঁবৈ ওলোৱা কথাটো কলে। কাম কাজব সহায় হব। পুণ্যই হাঁ, না—একো নকলে। অলপ কিন্তু কিবা ভাবিলে।

পুণ্যই কথাটো মাকক কলে। "কাম কাযব সহায় হব বুলি আমাব তালৈ আহি থকা খাচিয়ানীজনীক তেওঁ বাগিছাটৈ নিব ওলাইছে। মই কিন্তু মা ভাল দেখা নাই তাইব ওপবত মোব সন্দেহ হয়। তুমি মানা কবিলে বোধ হয় নিনিব। তুমি মানা কবিবাছোন।"

মাকো অলপ চিন্তাম্বিতা হল। যোৱাব দুদিন আগতে বাতি ভাত খাব বহোঁতে শাহুবেকে কলে,

"বোলো বোপা, খাচিয়ানীজনী মিছাই অদিকা থব কবি নিব লাগিছে কেলেই? অইন মানুহ বাগিছাত জানো কাম কবিবলৈ নাপাবা? কুলিবে দেখোন দেখা আছে।"

চন্দ্রই কলে, "ন'ক দিয়ক যাব খুজিছে যেতিয়া

বেচেবীব কেও কিছু নাই। মানুহ জনীও বব বিশ্বস্ত।"

এই উত্তব শুনি শাহুবেকে আক দুনাই একো ক'ব নোৱাবিলে। মনে মনে থাকিল। ক্লেচক নিয়া ঠিক হ'ল।

৫

আজি আঠ বছব পাছব কথা। চন্দ্রব মাক বাপেক দুয়োটাব এটিও এতিয়া নাই। তেওঁ লোক দুকুৰাব প্রায় পাঁচ বছবেই হয়হি। চন্দ্রব লবাছোৱালী এতিয়া দুটা। ক্লেচে লবাছোৱালী দুটিক প্রাণ ভবি মবম কবে, নিজব পেটব পোকাব দবে। মাকব লগত কেৱল বাতি থাকে দিনটো ক্লেচব লগতে। তথাপি পুণ্যই তাইক ভাল পাব পবা নাই থোলা অন্তববে। বোধ হয় ই বহু তিবোতাব এটা দুর্ব্বলতা। বিপিনব আবঁত মাজে মাজে বব কেতেবা জেঙেবাও কবে। ক্লেচে হ'লে কোনো এযাব টান জবাব দিয়া নাই, চন্দ্রকো পুণ্যব বিৰুদ্ধ কেতিয়াও একো লগোৱা নাই।

আক ডেব বছব পিছব কথা। ক্লেচো আজি পৃথিবীত নাই। সন্নিপাত জ্বব হৈ ঢুকাল। চন্দ্রই পাবিলে মানে চিকিৎসা আলপৈচান কবিলে, কিন্তু সকলো বিফলে গ'ল। মৃত্যুব এদিন আগত অসুদ্ ঘুবাবলৈ আহোঁতে পুণ্যক ভবিপন চুই ক্লেচে কলে,

"ধাবুবানী কিবা দোষ কবিছিলো যদি মোক মাফ কবিবা।"

তাব পিছত চন্দ্রব ফালে চাই কেৱল কলে,

—"বাবু" আক একো নাই। চন্দ্রই হুকহুকাই কান্দি, পেলালে। পুণ্যও আক থাকিব নোৱাবিলে। চকুব পানী জবজবাই ওলাল।

* * * * *

সিদিনা কামব বেমেজালিত চন্দ্রব বাগিছাব অফিচত পলম হ'ল। ঘব পাওঁতে ফুট গধূলি হৈছে। বস্তি শলিতা দিবলৈ হৈছে। কাঠত লবাছোৱালী দুটাক কুলিঘনী এজনীয়ে বং কবাই আছে। চন্দ্রই দৈনীয়েকক মাতবোল নিদিয়াকৈ ঘব সোমাল। শোৱা কোঠালিত লবাছোৱালী সৈতে ক্লেচ উঠা এখন ফটো বেবত অঁবা আছিল। পুণ্যই সেই ফটোখনব আগত একাস্ত মনে থিয় হৈ আছে। হাতত ধুনা দানিটো। পুণ্যই হাত দাঙি ছবিখনব আগত ধুনা ফুকাব ধবিলে, যেন আবতিহে কবিছে। চন্দ্রই লাহেকৈ পাছব ফালব পবা মাত লগালে,—

"কি হে সতিনীক যে আবতি কবিছা!"

পুণ্য চকুপাই উঠিল। হাতব পবা ধুনাদানিটো পবি গ'ল। চকুজুবি ছলছলীয়া হৈ পবিল। থগ্কৈ চন্দ্রব ভবিত পবি কান্দনব সুবে কলে

"—মোক ক্ষমা কবক।"

চন্দ্রই পুণ্যক তুলি ললে।



বিশ্ব-প্ৰৱাহ

প্ৰধান স্কাউটাৰ বেডেন পাৱেল

লৰ্ড বেডেন পাৱেল গোটেই স্কাউট অনুষ্ঠান আৰু আন্দোলনৰ বৰ্ত্তমান গুৰি ধৰোতা (cheif scout) তেওঁ এই স্কাউট আন্দোলন কেনে ভাবে বিস্তাৰ লাভ কৰিছে আৰু তাৰ কাৰ্য্যকাৰিতা কিমান খিনি আগ বাঢ়িছে তাকে চাবলৈ দহ মাহৰ কাৰণে গোটেই পৃথিৱী



লৰ্ড বেডেন পাৱেল—লণ্ডনৰ এটি সভাত মাইক্ৰোফোনত বক্তৃতা দিছে

ভ্ৰমণ কৰিবলৈ ওলাইছে। এই ভ্ৰমণ প্ৰসঙ্গতে তেওঁ মেলবোৰ্ণত বহা স্কাউটচ জাম্বৰীতো যোগ দান দিবহি।

ব্যৱসায়ত চেক (Cheque)

আধুনিক ব্যৱসায় বাণিজ্যত 'চেক'ৰ ব্যৱহাৰে যি অভিনৱ পৰিবৰ্ত্তন আনিছে তাক ভাবিলে আচৰিত হব লাগে। বিশেষকৈ য়ুৰোপ আমেৰিকা আদি দেশত ব্যৱসায়ত চেক অপৰিহাৰ্য্য। একোটি ব্যৱসায়ত মিনিটে ২, ঘণ্টায় ২ বহুত সংখ্যক চেক কাটিব লাগে আৰু তাকে কৰিবলৈ যন্ত্ৰৰ সহায় লব লগাত পৰিছে। অলপতে



কেবা মাইলো ধৰি আগুৰিব পৰা চেক

ৱাচিংটনৰ 'ভেটাৰেন বুৰোত' একেলগে ৬৭১,০০০ চেক কটা হৈছিল। এই চেকবোৰ লগ লগালে কেবা মাইল জুৰি দীঘল হব আৰু প্ৰায় ৩ একৰ ঠাই আগুৰিব।

বন্দুকৰ গুলি নলগা (Bullet-proof) বুকু চোলা



এটি বুকু চোলাত বন্দুকৰ গুলী লাগে নে নালাগে পৰীক্ষা কৰা হৈছে

য়ুৰোপৰ দেশ বোৰত হত্যাকাণ্ড এনে ভাবে আগ বাঢ়িছে যে তাক পৰীক্ষা পৰিবলৈ নতুন উপায় অৱলম্বন কৰিব লগা হৈছে। আৰু তাকে কৰিবলৈ বৰ্ত্তমানে এবিধ নতুন বুকু চোলা উলিয়াইছে। বন্দুকৰ গুলীয়েও তাক সহজে ভেদ কৰিব নোৱাৰে। লণ্ডনৰ এখন ফাৰ্ম্মে এই চোলাৰে বিশেষ লাভজনক ব্যৱসায় চলাইছে।

অভিনৱ প্ৰতিবাদ প্ৰথা

জাপানী সকলে গৱৰ্ণমেণ্টৰ কিবা কথাত বা কাৰ্য্যৰ প্ৰতিবাদ কৰিবলৈ হলে সময়ত অভিনৱ উপায় অৱলম্বন কৰা দেখিবলৈ পোৱা যায়। অলপতে জাপানৰ খেতিয়ক বোৰে গৱৰ্ণমেণ্টৰ তেনে এটি কাৰ্য্যৰ প্ৰতিবাদ কৰিবলৈ এজন গৱৰ্ণৰ আৰু আন দুজন বিষয়াৰ মূৰ্ত্তি সজাই তাত



গৱৰ্ণমেণ্টৰ কাৰ্য্যৰ প্ৰতিবাদস্বৰূপে এজন গৱৰ্ণৰ আৰু দুজন বিষয়াৰ মূৰ্ত্তি সজাই আধাপোৰা কৰি বাটে ২ ঘূৰাই ফুৰিছে।

জুই লগাই আধাপোৰা কৰি জাপানৰ বাটে পথে টানি ঘূৰাই লৈ ফুৰিছিল!

চোভিয়েট ৰুচীয়াৰ তৰুণ দল

চোভিয়ট গৱৰ্ণমেণ্টে তৰুণ দলকো নানা শিক্ষা দীক্ষাৰ ব্যৱস্থা কৰি সকলো প্ৰকাৰে কমিউনিষ্ট ভাবাপন্ন কৰি তুলিবৰ চেষ্টা কৰিছে। কমিউনিষ্ট আদৰ্শত অনুপ্ৰাণিত কৰিবলৈ এই লৰাবোৰক ছুটীৰ দিনত চহৰ আৰু গাওঁৰ আঁতৰত কেম্প সজাই নানা ভাবে সিহঁতক গঢ়ি তুলিবৰ



ৰুচীয়াৰ তৰুণ দলে যুদ্ধৰ বেশে কেম্পলৈ গৈছে

ব্যৱস্থা কৰিছে। তাত যুদ্ধবিদ্যা, নিয়মানুবৰ্ত্তিতা, আদি নানা বিষয়ৰ প্ৰাথমিক শিক্ষা দিয়া হয়।

জীৱন্ত "অশ্বশক্তি"

গ্ৰীণফোৰ্ডৰ (মিডল চেক্স) এগৰাকী ইংৰাজৰ এটি তেনেই সৰু ঘোৰা আছে। তেনে সৰু ঘোৰা আৰু কৰবাত



জীৱন্ত অশ্বশক্তি—এটি আচল ঘোৰাই মটৰ চলাইছে

আছেনে নাই তাক জানিব পৰা নাই। এই ঘোৰাটি এটি কুকুৰতকৈ ডাঙৰ নহয়। এই ঘোৰাটিক তেওঁৰ গাৰীত

বহুৱাই নানা ধৰণৰ ক্ৰীড়া কৌতুক দেখুৱাবলৈ শিকাই তুলিছে। ঘোৰাটিক প্ৰায় গাৰীত লৈ ফুৰায়। মানুহে সুধিলে কয় "মোৰ গাৰীৰ এয়েই আচল অশ্বশক্তি"।

নতুন পিয়ানো

হলিউডৰ সঙ্গীতৰ শিক্ষক এজনে শিক্ষাৰ্থী বোৰক সঙ্গীত শিকাবৰ উজু উপায় উলিয়াবলৈ এটি অভিনৱ পিয়ানো উলিয়াইছে। সেই পিয়ানোটি একেলগে চাৰিজন চাৰিফালে বহি বজাব পাৰি। এফালে শিক্ষক আন



চাৰিজনে একেলগে বজাব পৰা পিয়ানো।

তিনিফালে তিনি জন শিক্ষাৰ্থী বহি তাত সঙ্গীত শিক্ষা কৰিব পৰা যায়।

৭৭ বছৰীয়া বুঢ়াৰ ধৈৰ্য্য

মিঃ হেনৰী ই, চিলককচ আমেৰিকাৰ ৱাল্‌ঠাম বোলা ঠাইৰ এজন ৭৭ বছৰীয়া বুঢ়া ডাকপিয়ন। তেওঁ এটি



মিঃ হেনৰী ই চিলককচ

অসম্ভৱ ধৈৰ্য্য দেখুৱাই সকলোকে চমকিত কৰিছে। তেওঁ ২৫ মাইল জৰী পকাই পকাই এটি ১৫০ পাউণ্ড ওজনৰ বল তৈয়াৰ কৰিছে আৰু আন জৰী পকাই তাক ডাঙৰ কৰিয়েই আছে। ওৰিয়েণ্ট অষ্ট্ৰেলীয়া আলাস্কা আৰু পৃথিবীৰ নানা ঠাইৰ পৰা তেওঁলৈ ইয়াৰ বাবে জৰী আহিয়েই আছে।

———

শকুন্তলা

—শ্ৰীযুত বিপিনচন্দ্ৰ গোস্বামী বেদ-ব্যাকৰণ কাব্যতীৰ্থ

সম্ভৱ সাহিত্যৰ নাটকৰ ভিতৰত শকুন্তলা নাটকেই প্ৰধান বুলি বহুতে অনুমান কৰে। এই শকুন্তলা নাটক পঢ়িবলৈ মানুহে বৰ ভাল পায়। ইয়াৰ ভাষা প্ৰাঞ্জল আৰু শ্ৰুতিমধুৰ। ভাবতো সৰলতা আৰু ৰমণীয়তা আছে। এই সম্বন্ধে এটা প্ৰবাদো আছে যে—

"কাব্যেষু নাটকং শ্ৰেষ্ঠং তত্ৰাপিচ শকুন্তলম্।
তত্ৰাপিচ চতুৰ্থোঽঙ্কঃ তত্ৰশ্লোকচতুষ্টয়ম্"

অৰ্থাৎ কাব্যৰ ভিতৰত নাটক শ্ৰেষ্ঠ নাটকৰ ভিতৰত শকুন্তলা শ্ৰেষ্ঠ, সেই শকুন্তলাৰ ভিতৰত চতুৰ্থ অঙ্কটো আৰু ভাল, সেই চতুৰ্থ অঙ্কৰ ভিতৰত চাৰিটি শ্লোক আৰু বেছি ভাল। ইয়াৰ বাহিৰেও আৰু এটা উক্তি আছে যে, কবিকালিদাসৰ শকুন্তলাই সৰ্ব্বস্ব। যথা—

"কালিদাসস্য সৰ্ব্বসমভিজ্ঞানশকুন্তলম্"। এই নাটকৰ পৰা আমি কবি কালিদাসৰ বহুত গুণ ধৰিব পাৰোঁ, আৰু "উপমা কালিদাসস্য (অৰ্থাৎ কালিদাসৰ উপমা)" ইয়াৰ সাৰ্থকতা ধৰিব পাৰোঁ। অৱশ্যে তেখেতৰ আন আন পুথিতো উপমাস্থল যথেষ্ট আছে। কিন্তু আলোচ্য পুথিৰ পৰাই দিয়া ভাল বিবেচনা কৰি আনপুথি বাদ দি শকুন্তলাৰ পৰাই কেইটিমান উপমাৰ নমুনা তুলি দিয়া হ'ল। শকুন্তলাৰ প্ৰথম অঙ্কত যেতিয়া ৰাজা দুষ্যন্ত শকুন্তলাৰ লগত সাক্ষাৎ কৰি নিজৰ বিশ্ৰামাগাৰক যায়, তেতিয়া ৰজাই কৈছিল যে,—

"গচ্ছতি পুৰ শৰীৰং ধাৱতি পশ্চাদসস্থিত চেতঃ
চীনাং শুকমিব কেতোঃ প্ৰতিবাতং নীয়মানস্য"।

অৰ্থাৎ যেনেকৈ বতাহৰ প্ৰতিকূলে পতাকা ৰাখিলে, সেই পতাকাৰ কাপোৰখন যেনেকৈ পাছৰ ফালে যায়, মোৰো শৰীৰটোহে সন্মুখৰ ফালে গৈছে, কিন্তু অস্থিৰচিত্ত পাছৰফালে ধাবিত হৈছে। অৰ্থাৎ চীনদেশীয় কাপোৰ যেনে সূক্ষ্ম আৰু সেই কাপোৰ বতাহত যেনেকৈ চঞ্চল হয়, সেই দৰে মনো অতি সূক্ষ্ম। ইয়াত মন যে চঞ্চল আৰু সূক্ষ্ম সেই কথাটো প্ৰতিপাদন কৰিবৰ বাবে কবিয়ে প্ৰসিদ্ধ চীনদেশীয় পাতল কাপোৰৰ লগত মনৰ তুলনা দিছে। আগৰ কবিতাত প্ৰায় এনে সুন্দৰ উপমা কমেই দেখা যায়। ইয়াৰ বাহিৰেও তৃতীয় অঙ্কৰ শকুন্তলাৰ বিৰহত ৰাজাই কৈছিল যে,

"ত্বং দূৰমপি গচ্ছন্তী হৃদয়ং ন জহাসিমে।
দিবাবসানেচ্ছায়েব পুৰোমূলং বনস্পতেঃ"

অৰ্থাৎ হে শকুন্তলা। দিনৰ শেষ ভাগত গছৰ ছাঁয়া যেনেকৈ দূৰলৈ যায় কিন্তু গছৰ মূল পৰিত্যাগ নকৰে তেনেকৈ তুমি দূৰলৈ গলেও মোৰ হৃদয় পৰিত্যাগ কৰা নাই।

ইয়াৰ আগতেও প্ৰথম অঙ্কত যেতিয়া ৰজাই ৰথত উঠি গৈছিল সেই ৰথৰ আগে আগে এটা হৰিণ দৌৰি গৈছিল। হৰিণটোক ৰজাৰ মাৰিবৰো মন গৈছিল, এনেতে দুজন তপস্বী আহি পালেহি। তেতিয়া এজন তপস্বীয়ে হাত এখন দাঙ্গি ৰজাক কৈছিল, "হে ৰাজন্, তুলাসমূহত জুইৰ নিচিনা এই কোমল হৰিণৰ শৰীৰত এই বাণ নিক্ষেপ নকৰিব। হায়, ক্ষুদ্ৰ হৰিণ বিলাকৰ নিতান্ত চঞ্চল জীৱনেই ক'ত, আৰু বজ্ৰৰনিচিনা বলবান্‌ও তীক্ষ্ণবাণেই বা আপোনাৰ ক'ত।" ইয়াত হৰিণৰ কোমল জীৱনৰ লগত তুলাৰ, তীক্ষ্ণবাণৰ লগত জুইৰ তুলনা দি কবিয়ে সহজে বুজিব পৰা উপমা দেখুৱায় নিজৰ উপমা শক্তিৰ প্ৰভাৱ বঢ়াইছে। শ্লোকটো হৈছে এই—

"নখলু নখলু বাণঃ সন্নিপাত্যোঽয়মস্মিন্
মৃদুনি মৃগশৰীৰে তূলৰাশাবিবাগ্নিঃ।
ক্ব বত হৰিণকাণাং জীবিতঞ্চাতিলোলং
ক্বচ নিশিতনিপাতাঃ বজ্ৰসাৰাঃ শৰাস্তে" ইতি।

এনে ধৰণৰ উপমা বিষয়ক আৰু বহুত শ্লোক আছে, বেছি বাহুল্য হব বুলি তুলি দিয়া নহল। কালিদাসৰ উপমাৰ নিচিনা আন কোনো কবিয়ে উপমা দিব পৰা নাই। এই শকুন্তলা নাটকৰ অনুসৰা আৰু প্রিয়ম্বদাৰ কথাৰ পৰা জানিব পাৰি যে, এতিয়াৰ দৰে আগৰদিনৰ তিৰোতাও শিক্ষিতা আছিল, নহলে পূৰ্ব্বৰ অপৰিচিত প্রবল পৰাক্রমী এজন ৰজাৰ আগত নির্ভীক ভাবে তেনেদৰে কথা কব নোৱাৰিলেহেঁতেন। এই নাটকৰ ভিতৰত চতুর্থ অঙ্কত যেতিয়া শকুন্তলা পতিৰ ঘৰলৈ যাবলৈ ওলায়, তেতিয়া শকুন্তলাক কণ্বমুনিয়ে যিবোৰ উপদেশ দিছিল, সেই উপদেশৰ পৰা জানিব পাৰি যে কবি কালিদাসৰ লৌকিকব্যৱহাৰতো প্রগাঢ় অভিজ্ঞতা আছিল, নহলে কণ্বমুনিক আশ্রম কবি অতি লাগতিয়াল উপদেশ দিয়াৰ নোৱাৰিলেহেঁতেন। তাৰ প্রমাণ স্বৰূপ দুটামান শ্লোক তুলি দিয়া হল। যথা—

"যাস্যত্যদ্য শকুন্তলেতি হৃদয়ং সংস্পৃষ্টমুৎকণ্ঠয়া,
কণ্ঠঃ স্তম্ভিতবাষ্পবৃত্তিকলুষঃ চিন্তাজড়ং দর্শনম।
বৈক্লব্যং মম তাবদীদৃশমপি স্নেহাদরণ্যৌকসঃ
পীড্যন্তে গৃহিনঃ কথং ন তনয়াবিশ্লেষ দুঃখৈঃ নবৈঃ॥

অর্থাৎ—আজি শকুন্তলা পতিৰ ঘৰলৈ যাব, এই নিমিত্তে উৎকণ্ঠা আছি মোৰ হৃদয় অধিকাৰ কবিছে। চকুৰ পানী বলেৰে নোহোৱাৰ চেষ্টা কবিছোঁ, কিন্তু আকৌ আছি কণ্ঠৰব অস্পষ্ট কবি পেলাইছে, আৰু দৃষ্টিশক্তি চিন্তাবশতঃ কুণ্ঠিত হৈছে। মই বনবাসী কিন্তু মোবেই পৰা বন্ধা দুষ্মন্তৰ শকুন্তলাৰ প্রতি একান্ত অনুবাগ আৰু তেওঁ যে সকলো কার্য্যকে জানিছিল, সেইটো বুজা যায়। আগৰ তিৰোতাইও যে গান আদি গাব জানিছিল, সেইটোও শকুন্তলা নাটকৰ পৰাই দেখিব পাৰি। কাৰণ সেইকথা উল্লেখ আছে। গতিকে আজি কালিৰ তিৰোতাই গান গোৱাটো একো আচবিত বা দুষ্কৰিৰ লক্ষণো বুলিব নোৱাৰি। কবি কালিদাসৰ কৌশল অতি অদ্ভুত ধৰণৰ যে আছিল তাত অকণো সন্দেহ নাই। এই সকলোবোৰ কথা পঢ়িলে বা শুনিলে

ভূয়িঃ ভব দক্ষিণা পৰিজনে ভোগেগনুৎসেকিনী,
সাত্যেবং গৃহীনী পদং যুবতয়ো বামাঃ কুলস্যাধয়॥

অর্থাৎ হে শকুন্তলা, তুমি শহুৰ আদি গুৰুজন সকলক শুশ্রূষা কবিবা, সপত্নী সকলৰ সৈতে প্রিয় সখীৰ নিচিনা ব্যৱহাৰ কবিবা, পতিয়ে অপমান কবিলেও ক্রুদ্ধ হৈ তেওঁৰ বিৰুদ্ধাচৰণ নকবিবা, দাস দাসী সকলৰ প্রতি অত্যন্ত উদাৰ প্রকৃতি দেখুৱাবা ভোগত গর্ব্বিতা নহবা, এনেদুৱা তিৰোতাই গৃহিনীৰ পদ লাভ কবে, আৰু ইয়াৰ বিপৰীত ভাবে চলা বোৰ বংশৰ দুঃখদায়ক হয়।

এনেধৰণৰ বহুত উপদেশ কণ্বমুনিয়ে দিছে। এই উপদেশবোৰৰ ভাব লৌকিক ব্যৱহাৰতো সুন্দৰভাবে মিলে। কাৰণ এতিয়াও দেখা যায় যে, যেতিয়া নিজৰ ছোৱালী শহুৰেকৰ ঘৰলৈ প্রেমত যায়, তেতিয়া পিতাকে মাক আৰু আন আন পৰিয়ালেও মনত বৰ কষ্ট অনুভব কবে। ইয়াৰ বাহিৰেও এটা মানুহৰ যদি দুইজনী তিৰোতা থাকে, তেন্তে সপত্নী বিলাকৰ ভিতৰত প্রায় মিল দেখা নাযায় ইয়াৰ কাৰণ মনৰ বিদ্বেষভাব। বাস্তৱতে এনে হোৱাটো বৰ বেজাৰৰ কথা। সেইবাবে কণ্বমুনিয়ে শকুন্তলাৰ যাতে সপত্নীবিলাকৰ্সৈতে মিল থাকে তাৰ উপদেশ দিছিল। এইবোৰৰ দ্বাৰা কালিদাসৰ লৌকিক ব্যৱহাৰত যে অভিজ্ঞতা আছিল, সেইটো প্রতিভাত হয়। ইয়াৰ পিছত যেতিয়া ৰজাই শকুন্তলাক গ্রহণ নকবিলে, তেতিয়া শকুন্তলা অদৃশ্য হৈ মৰীচিৰ আশ্রমলৈ গোৱাৰ পিছত ৰজাই মন্ত্রাহত হৈ শকুন্তলা প্রিয়ংবদা আৰু অনুসূয়াৰ ছবি আকি বিদূষকক দেখুৱায়। এই কথাৰ পৰা বন্ধা দুষ্মন্তৰ শকুন্তলাৰ প্রতি একান্ত অনুবাগ আৰু তেওঁ যে সকলো কার্য্যকে জানিছিল, সেইটো বুজা যায়। আগৰ তিৰোতাইও যে গান আদি গাব জানিছিল, সেইটোও শকুন্তলা নাটকৰ পৰাই দেখিব পাৰি। কাৰণ সেইকথা উল্লেখ আছে। গতিকে আজি কালিৰ তিৰোতাই গান গোৱাটো একো আচবিত বা দুষ্কৰিৰ লক্ষণো বুলিব নোৱাৰি। কবি কালিদাসৰ কৌশল অতি অদ্ভুত ধৰণৰ যে আছিল তাত অকণো সন্দেহ নাই। এই সকলোবোৰ কথা পঢ়িলে বা শুনিলে

সকলো প্রতীয়মান হয়। শকুন্তলা নাটকৰ পৰা যুদ্ধ নকবিবা সি তোমাক মাৰিব" কিন্তু সৰ্ব্বদমনে একো ভ্রূক্ষেপকেই নকবিলে। তাৰ পিছত প্রথমজনী তাপসীয়ে কলে হে বৎস, সিংহশিশুৰ সৈতে যুদ্ধ কবিবলৈ এবি দিয়া, খেলাৰ আনবস্তু তোমাক আমি দিম।" এই বুলি কোৱাত সৰ্ব্বদমনে হাত মেলি কলে "ক'ত? আগেয়ে মোক খেলাৰ বস্তু আনি দিয়া তাৰ পিছতহে মই যুদ্ধকবিবলৈ এবিম।" ইয়াতেই কালিদাসৰ কৌশল আমি ভালদৰে ধবিব পাৰোঁহক। কাৰণ চক্রবর্ত্তী পুত্রৰ কথা তেওঁৰ আগেয়ে জনা আছে। সেই লবাটোক দেখিও তেওঁৰ যেন লবাটি আত্মীয় হয়, এনে ধাৰণাও আছে। ঠিক সেই সময়ত লবাটোৱে হাত মেলি দিয়াত হাতত থকা চক্রবর্ত্তী চিহ্ন ৰজাই দেখিবলৈ পাই মনৰ ধাৰণা আগতকৈ বেছি প্রবল হৈ উঠিল। ইয়াৰ পিছতেই ৰজাই তাপসীক সোধাত তাপসীয়ে উত্তৰ দিছিল যে এইজন ঋষিপুত্র নহয়, কিন্তু পুৰুবংশীয় ৰাজপুত্রক। ইয়াৰ দ্বাৰাই বজা আগতকৈ আৰু বেছি আশান্বিত হৈছিল। ইয়াৰ পিছত আকৌ যেতিয়া ৰজাই লবাটোক সাৰটি ধৰিছিল তেতিয়া লবাটোৱে কৈছিল যে "মোক এবি দিয়া, মোৰ পিতা তুমি নহয়, কিন্তু বজা দুষ্মন্তহে।" ইয়াৰ পৰাও ৰজাই মনৰ ধাৰণা যে সঁচা সেইটো ভালদৰে বুজিব পাৰিছিল। এইবোৰৰ পিছত তাপসী এজনীয়ে আহি সৰ্ব্বদমনক কৈছিল "হে বৎস, শকুন্তলাবণ্যং প্রেক্ষস্ব" অর্থাৎ চবাইৰ বমনীয়তা চোৱা। তেতিয়া সৰ্ব্বদমনে কৈছিল "কুত্র মে মাতা" অর্থাৎ মোৰ আই কত। ইয়াত কবি কালিদাসে 'শকুন্তলাবণ্যং' এই শব্দটো ব্যৱহাৰ কবি দুটা অর্থ প্রকাশ কবিছে চবাইৰ বমণীয়তা প্রকৃত অর্থ অৰু শকুন্তলাবণ্যম—ইয়াত থকা শকুন্তলা এই শব্দটোৰপৰা অর্থাৎ আগৰ চাবিটাৰ পৰা সকলবাৰ পক্ষে তেনেহোৱাটো সম্ভব। এই বোৰ কবিবছে কৌশল, দম্ভ তুমি কালিদাস। কবিয়ে এইদৰে ৰজাৰ মনত আশা ক্রমান্বয়ে বলবতী কবি নিছে। এনে ধৰণে আন কোনো কবিয়ে কার্য্যসিদ্ধি কবিব পৰা নাই। কবি কালিদাসে ৰজা দুষ্মন্তৰ চবিত্র ভালে বাখিবৰ

মনেৰে শকুন্তলা নাটকত (চতুর্থ অঙ্ক) দুর্ব্বাসা মুনিৰ শাপৰ অবতাৰণা কৰিছে। আচলতে এই অবতাৰণা শকুন্তলা নাটকৰ মূলগ্ৰন্থ মহাভাৰতত নাই। মহাভাৰতত গৰ্ভৱতী শকুন্তলা যেতিয়া ৰজা দুষ্মন্তৰ ঘৰলৈ যায়, তেতিয়া ৰজাই লোকাপবাদক ভয় কৰিহে শকুন্তলাক গ্ৰহণ কৰা নাছিল কিন্তু সেইকথাৰ পৰা ৰজাৰ চৰিত্ৰ কলঙ্কিত বুলি মানুহে কব পাৰে। সংস্কৃত নাটকৰ লক্ষণত নাটকৰ নায়কৰ চৰিত্ৰ দুষিত হোৱাটোও উচিত নহয়, এনে নিয়মো আছে। দুর্ব্বাসাৰ শাপৰ অৱতাৰণা নকৰিলে বাস্তৱতে নায়কৰ চৰিত্ৰ কলঙ্কিত বুলি কব পাৰি। কাৰণ শকুন্তলা এজনী বনবাসিনী স্বল্পবয়স্কা ছোৱালী। বনৰ পক্ষীৰ যেনেকৈ হিংসা আদি নাই, সেইদৰে শকুন্তলাও হিংসা আদি বিহীনা। তেনে কুৰা এজনী অবলাৰ ওপৰত প্ৰবল পৰাক্ৰমী এজন ৰজাই মুনিৰ আশ্ৰমত সোমাই, আৰু বিশেষকৈ কণ্বমুনি আশ্ৰমত নথকা সময়ত, মুনিৰ অনুমতি নোলোৱাকৈ অত্যাচাৰ কৰা কথা বৰ অশোভনীয়। সেই দোষ নিবাৰণ কৰিবৰ বাবে কবিয়ে শাপৰ অৱতাৰণা কৰি নিজৰ প্ৰখৰ বুদ্ধিৰ পৰিচয় দিছে। ইয়াৰ দ্বাৰাই কবিকালিদাসক কৌশলৰ উচ্চ আসনত স্থান দিব পাৰি। আচলতে ৰাজা দুষ্মন্ত ধাৰ্ম্মিক, কৰ্ম্মী, প্ৰতাপী আৰু বৰ বুদ্ধিয়ক আছিল। ধাৰ্ম্মীক আমি এই হিছাবে বুলিব পাৰো যে, যেতিয়া দ্বিতীয় অঙ্ক দুইজন ঋষিয়ে ৰজাৰ ওচৰলৈ আহি কৈছিল—মহাৰাজ, যজ্ঞত ৰাক্ষসবিলাকে উপদ্ৰব কৰিব ধৰিছে, আপুনি সেইবিলাকক মাৰক বা যজ্ঞবেদীৰ পৰা খেদি দিয়ক। আনফালে ঠিক সেই সময়তে ৰাজ্যৰ পৰা মাতৃ সকলে পঠোৱা এজন দূত আহি ৰজাক খবৰ দিলে যে মাতৃসকলৰ আদেশ, আপুনি এতিয়াই ৰাজালৈ উলাট যাব লাগে। কাৰণ মাতৃসকলৰ ব্ৰত আছে।' এই দুয়োটা কাৰ্য্যই অনতিক্ৰমনীয়, কাৰণ এফালে ঋষি সকলৰ আদেশ, আনফালে মাতৃসকলৰ আদেশ।

তেতিয়া ৰাজাই ভাবিচিন্তি ঠিক কৰিলে যে, বিদূষককো আইসকলে পুত্ৰৰূপে স্বীকাৰ কৰিছে, গতিকে বিদূষককে ঘৰলৈ পঠাই দিওঁ। মই ঋষিৰ কাৰ্য্য সমাধা কৰোঁ। ইয়াকে স্থিৰ কৰি সেই অনুসাৰেই কাম কৰিছিল। ইয়াৰ দ্বাৰা তেওঁক ধাৰ্ম্মিক; দুয়োটা কাৰ্য্যকেই সমাধা কৰা বাবে বুদ্ধিয়ক, আৰু ৰাক্ষসৰ উপদ্ৰব নাশ কৰা বাবে কৰ্ম্মীও বুলিব পাৰোঁ। এতিয়া ইয়াত এটা প্ৰশ্ন উঠিব পাৰে যে, ৰজাই আগদিনা শকুন্তলাক দেখি পিছদিনাও শকুন্তলাক চাৰৰ বাবেহে সেই কথাক আশ্ৰয়কৰি আশ্ৰমলৈ গৈছিল। কিন্তু আচলতে ৰাক্ষসৰ নাশৰ বাবে যোৱা নাছিল। ইয়াৰ উত্তৰত আমি এইটোকে কব খোজো যে, ৰাজাই সেই বুদ্ধি আশ্ৰয় নকৰি আনবুদ্ধি আশ্ৰয় কৰিও শকুন্তলাক চাবলৈ আশ্ৰমলৈ যাব পাৰিলেহেঁতেন। কাৰণ তেওঁ ৰজা যেতিয়া, তেওঁৰ অসাধ্য একো নাছিল। গতিকে অনুমান কৰা যায় যে শকুন্তলাক চাৰৰ বাবে ৰাজাই আশ্ৰমত প্ৰবেশ কৰা নাছিল, কিন্তু তেওঁ নিজৰ কৰ্ত্তব্য কাৰ্য্য সমাধা কৰিবৰ বাবেহে আশ্ৰমত প্ৰবেশ কৰিছিল। কাৰণ ৰজাৰ যজ্ঞকৰা কৰ্ত্তব্য কৰ্ম্মৰ ভিতৰত। ক্ষত্ৰিয় শব্দৰ অৰ্থই হৈছে আনক ত্ৰাণকৰা। ৰজা দুষ্মন্তই মনত ৰাখিছিল যে, "স্বধর্ম্মে নিধনং শ্রেয়ঃ পরধর্ম্মোভয়াবহঃ" অৰ্থাৎ স্বধৰ্ম্মত নিধনেই ভাল, কিন্তু পৰৰ ধৰ্ম্ম গ্ৰহণকৰা উচিত নহয়। এই কাৰ্য্যৰ পৰা আমি তেওঁক চৰিত্ৰবান, বিনয়ী, কৰ্ত্তব্যপৰায়ণ ও ধাৰ্ম্মিকো বুলিব পাৰো। এই নাটকৰ পৰা আমি পতি আৰু পত্নীৰ ভিতৰত যি ভাব থকা উচিত, সেই ভাব সম্পূৰ্ণ অঙ্কত যেতিয়া ৰজা দুষ্মন্ত আৰু শকুন্তলাৰ পুনৰ মিলন হয়, তাৰ পৰা ধৰিব পাৰোঁ। ৰজা দুষ্মন্তই নিজ বিবেকেৰে শকুন্তলাক গ্ৰহণ নকৰা নহয়, কিন্তু কালিদাসৰ শকুন্তলা নাটকৰ পৰা দুর্ব্বাসাৰ শাপৰ বাবে, আৰু মহাভাৰতৰ কথাৰ পৰা লোকাপবাদৰ ভয়ৰ বাবেহে গ্ৰহণ কৰা নাছিল। অৰ্থাৎ ওপৰত উল্লেখ কৰা কথাৰ পৰা তেওঁ শকুন্তলাক ত্যাগ কৰিবলৈ বাধ্য হৈছিল। এতিয়া ইয়াত আকৌ এটি প্ৰশ্ন উঠিব পাৰে যে, ৰজা দুষ্মন্তই জানোঁ শকুন্তলাৰ লগত তেনেভাবে মিল হৈ ভাল কাম কৰিছিল? কাৰণ এনেকার্য্য শাস্ত্ৰ বিৰুদ্ধ।

ইয়াৰ উত্তৰ স্বৰূপে ইয়াকে কব পাৰিমে, আগৰ দিনত ক্ষত্ৰিয়ৰ গন্ধৰ্ব্ববিবাহ প্ৰচলিত আছিল,।



গীত গোবিন্দ পুথিত মহাৰাজ কৰ্ত্তসিংহ

[পুথিটি পুথিত অঙ্কিত এখন মহাৰাজ শিকিয়ৰ আৰু কৰ্ত্তসিংহৰ চিত্ৰ এখিনি মানৰ হাতে তেইহা ঐকৈ পথাও পেলাছিল। তেওঁৰ সংগে আমাৰতে প্ৰকাশিত অন্যকেইখন পোৱা পুথিত চিত্ৰিত এক শিকিয়ৰ মহাৰাজ আৰু এই কিৰণৰ দ্বাৰা আমাদেৰ প্ৰকাশিত ইতিবিলাকৰি পুথিত অঙ্কিত কৰা শিলাজিৎ পৰিচেইছ চিত্ৰ প্ৰায় একে। অনুমান সংবিত ৰাজ্যৰ ৰাজ্যৰ নীতিগত পুথিত অঙ্কিত থকা মহাৰাজ কৰ্ত্তসিংহৰ চিত্ৰ ওপৰত প্ৰকাশ কৰা হ'ল। এইখন মহাৰাজৰ চিত্ৰৰ সলনী থকা বুদ্ধি আমাৰ হাতত কোঁচা পাকৈহে নাইকিয়া।]

—প্রত্নবিদ্যার পাঠশালা

ছয়ো অঙ্ক চাইয়া ভেঙ্গ, কহিলা

বিবাহৰ কথা মনুসংহিতা প্ৰভৃতি হিন্দুৰ ধৰ্ম্মশাস্ত্ৰতো উল্লেখ আছে। গতিকে দুষ্যন্তক সেইবাবে চৰিত্ৰহীন বুলি মনত স্থান দিয়া বা প্ৰকাশ কৰা অন্যায়।

শকুন্তলাও স্বধৰ্ম্মনিষ্ঠা আৰু সকলো গুণেৰে বিভূষিতা আছিল। তেওঁ স্বামীৰ প্ৰতি যি প্ৰগাঢ় ভক্তিভাব দেখুৱাই গৈছে, সেয়েই তেওঁক অমৰ কৰি ৰাখিব। শকুন্তলা ৰজা দুষ্যন্তৰ ঘৰলৈ নিজে যোৱা স্বত্বেও তেওঁক ৰজাই পৰিত্যাগ কৰা কথা বৰ লজ্জাকৰ। কিন্তু তথাপি শকুন্তলাই মৰীচিৰ আশ্ৰমত থাকি একবেণী প্ৰভৃতি ধাৰণ কৰি ৰজা দুষ্যন্তক মনত স্থান দি তেওঁৰ পূজা কৰিছিল। তেওঁ মনত ৰাখিছিল যে, "পতিয়েই তিৰোতাৰ পৰমগুৰু, পতি ভিন্ন তিৰোতাৰ আন আৰাধ্যদেৱতা নাই। মাত্ৰ পতিৰ শুশ্ৰূষা কৰিয়েই স্বৰ্গলোক পাব পাৰে।" ইয়াৰ প্ৰমাণ যেন—

"নাস্তি স্ত্ৰীণাং পৃথক যজ্ঞো নব্ৰতং নাপ্যুপোষণম্।
শুশ্ৰূষতি ভৰ্ত্তাৰং স্বৰ্গে লোকে মহীয়তে"। এই শ্লোকৰ ভাব আগত কোৱা কথাৰ নিচিনাই। শকুন্তলা যে, শিক্ষিতা আছিল, তাৰ প্ৰমাণ হিচাবে আমি এই খিনিয়েই দিব পাৰোঁ যে, যেতিয়া শকুন্তলা দুষ্যন্তক দেখি পিছত তেওঁৰ বিৰহত প্ৰায় সংজ্ঞাহীনা হৈ পৰিছিল, তেতিয়া শকুন্তলাক দুই সখী প্ৰিয়ংবদা আৰু অনুসূয়াই মৃণালপত্ৰ আদিবেও জুৰ দিব নোৱাৰি তেওঁলোক বিস্ময়ান্বিত হৈ কিহৰ বাবে শকুন্তলাৰ এনে অৱস্থা হৈছে এই কথা তেওঁক সোধাত শকুন্তলাই লজ্জিতভাবে—ৰজা দুষ্যন্তৰ বাবে মোৰ এনে অৱস্থা হৈছে বুলি ভাব প্ৰকাশ কৰাত সখী দুইয়ে শকুন্তলাক কৈছিল যে, "তুমি ৰজাৰলৈ এখন চিঠি লিখা, আমি সেই চিঠিখন এটা উপায় কৰি ৰজাক দিম।" এই কথা শুনি শকুন্তলাই মৃণাল পত্ৰতেই নখেৰে ৰজাৰলৈ এটা শ্লোক লিখি নিজৰ মনৰ ভাব প্ৰকাশ কৰিছিল—সেইটো হৈছে—

"তব নজানে হৃদয়ং মম পুনঃ মদনো দিবাপি, ৰাত্ৰিমপি ;"
নিষ্ঠুৰ তাপয়তি বলীয়ঃ তব হস্তমনোৰথানি অঙ্গানি॥"

অৰ্থাৎ হে নিৰ্দ্দয় তোমাৰ মনৰ ভাব মই নাজানোঁ তথাপি মই তোমাৰ হাতত অভিলাষ অৰ্পণ কৰিছোঁ। দিনে ৰাতি কামদেবে মোৰ সকলো অঙ্গবোৰ সন্তপ্ত কৰিব ধৰিছে।" এই শ্লোকটো শকুন্তলাই লিখি অনুসূয়া আৰু প্ৰিয়ম্বদাক কেনে হৈছে চাবলৈ কৈছিল, তেওঁলোকেও শ্লোকটো চাই ভাল হোৱা বুলি মত প্ৰকাশ কৰিছিল। গতিকে জানিব পাৰি যে, শকুন্তলা তেনে বিৰহত মৰ্ম্মাহত হৈও অতি সুন্দৰভাবে পৰিপূৰ্ণ শ্লোকৰচনা কৰাটো একমাত্ৰ শিক্ষাৰেই গুণ। গতিকে তেওঁ যে শিক্ষিতা আছিল তাত অকণো সন্দেহ নাই। আগত উল্লেখ কৰি অহা অনুসূয়া আৰু প্ৰিয়ম্বদাও যে শিক্ষিতা আছিল, তাৰ প্ৰমাণো এই এটা দিব পাৰি। কাৰণ তেওঁলোক তিনিও যদি শিক্ষিতা নহলহেঁতেন তেন্তে তেওঁলোকৰ কেতিয়াও শ্লোকৰ ভাল বেয়া বিবেচনা কৰা সামৰ্থ্য নাথাকিলহেঁতেন। গতিকে শকুন্তলা যে পতিভক্তিপৰায়ণা, শিক্ষিতা, আৰু ধৰ্ম্মনিষ্ঠা আছিল, সেই কথা ওপৰত উল্লেখ কৰা কথাৰ পৰা বুজা যায়। অনুসূয়া, প্ৰিয়ম্বদা আৰু শকুন্তলাৰ ভিতৰত শকুন্তলাই বয়সত ডাঙৰ আছিল বুলি অনুমান কৰিব পাৰি ইটামান যুক্তিৰে। কাৰণ যেতিয়া ৰজা দুষ্যন্তক তাপস দুজনৰ সৈতে সাক্ষাৎ হয়, সেই সময়ত ৰজাই তাপস দুজনক সুধিছিল যে, কুলপতি কণ্বমুনি বৰ্ত্তমান আশ্ৰমত আছেনে নাই? ইয়াৰ উত্তৰত তাপসে কৈছিল যে "দৈবমস্যাঃ প্ৰতিকূল শময়িতুং সোমতীৰ্থং গতঃ"। অৰ্থাৎ শকুন্তলাৰ প্ৰতিকূল দৈবৰ উপশমৰ বাবে কণ্বমুনি সোমতীৰ্থক গৈছে। এই কথাৰ পৰা ধৰিব পাৰি যে, শকুন্তলাকহে আগে বিয়া দিবৰ ইচ্ছা কণ্বমুনিৰ মনত বৰ্ত্তমান। সেইকথা আন কথাৰেও বুজিব পাৰি। ইয়াৰ বাহিৰেও যেতিয়া শকুন্তলা পতিকৃত দেৱতাৰ ঘৰলৈ যাবলৈ ওলায়, তেতিয়া শকুন্তলাই পিতৃস্বৰূপ কণ্বমুনিক সুধিছিল যে, অনুসূয়া আৰু প্ৰিয়ম্বদাও মোৰ লগত নাযাবনে? ইয়াৰ উত্তৰত কণ্বমুনিয়ে কৈছিল যে—"বৎসে! ইমে অপি প্ৰদেয়ে। তন্নযুক্তমনয়োস্তত্ৰগন্তুম্" অৰ্থাৎ এওলোকেকো লাহে লাহে বিয়া দিব লাগিব, সেই বাবে তোমাৰ লগত ইহঁত যোৱাটো উচিত নহয়। এই কথাৰ পৰা বুজিব পাৰিবে শকুন্তলাতকৈ অনুসূয়া আৰু প্ৰিয়ম্বদা বয়সত সক আছিল নহলে কণ্বমুনিয়ে "ইমে অপি প্ৰদেয়ে" এইকথা নকলেহেতেন। শকুন্তলা নাটকত

অনুসূয়া আৰু প্ৰিয়ম্বদাক কিয় স্থান দিলে! এই প্ৰশ্নৰ উত্তৰত এই খিনিকে কব পাৰি যে অনুসূয়া আৰু প্ৰিয়ম্বদাৰ অস্তিত্বাবণা নাটকত নকবিলে শকুন্তলা আৰু দুষ্মন্তৰ মিলনেই নহলহেঁতেন। অৱশ্যে কবিয়ে তেওঁলোকৰ বিষয় বিশেষ একো উল্লেখ কবা নাই। অনুসূয়া আৰু প্ৰিয়ম্বদাৰ ভিতৰত কথা-বতবা কোৱাৰ ভাবভঙ্গীবে প্ৰিয়ম্বদাকেই বেছি চতুবা বুলি অনুমান কবিব পাৰি। এই শকুন্তলা নাটক যে মাত্ৰ সংস্কৃত সেবী সকলবহে আদবৰ বস্তু তেনে নহয়, সুদূৰ ইংলণ্ডবাসী আৰু আমেবিকা প্ৰভৃতি দেশৰ পণ্ডিত সকলেও ইয়াক সাহিত্যৰ উচ্চ আসনত ঠাই দিছে। আজি বহুতে ভাবে যে, ইংবাজী সাহিত্যৰ দবে আন কোনো সাহিত্য নাই, কিন্তু আমি তাৰ উত্তবত এইখিনি ডাঠি কব পাৰোঁ যে, সংস্কৃত সাহিত্যত এগাচ জ্ঞান নহলে সাহিত্য বিষয়ক সম্পূৰ্ণ জ্ঞান লাভ কবা নাযায়। অৱশ্যে ইংবাজী সাহিত্যৰ ভিতৰতো যে ভাল সাহিত্য আছে সেইটো আমি স্বীকাৰ নকবি নোৱাবোঁ। এই শকুন্তলা নাটকৰ পবা তিবোতা সকলেও শিকিব লগীয়া কথা বহুত আছে। সেই পথ অনুসবণ কবিলে তেওঁলোকে সংসাৰৰ দাম্পত্য জীবন সুখেবে অতিবাহিত কবিব পাবে। শকুন্তলাৰ নাম কিয় শকুন্তলা কথা হ'ল সেই সম্বন্ধে মহাভাবতত কণ্বমুনিৰ উক্তিৰ পবা ধবিব পাৰি। যথা-

"নির্জ্জনে তু বনে যস্মাৎ শকুন্তৈঃ পবিবক্ষিতা,
শকুন্তলেতি নামাস্যাঃ কৃতঞ্চাপি ততোময়া," অর্থাৎ নির্জ্জন বনৰ ভিতৰত পক্ষীসকলে বক্ষা কবিছিল, সেইবাবে মই শকুন্তলা এই নামটো বাখিলোঁ। শকুন্তলা নাটকৰ দবে আন কোনো কবিয়ে সবল ভাষাত সকলো ভাব প্ৰকাশ কবিব পবা নাই। ধন্য তুমি কবি কালিদাস! তোমাৰ আন কোনো পুথি থাকক বা নাথাকক এই শকুন্তলাই তোমাক জগতত চিবস্মবণীয় কবি বাখিব। কবিকালিদাস যে মাত্ৰ এজন কবিহে আছিল এনে নহয়, তেওঁৰ আন আন পুথিৰ পবাও তেওঁ যে এজন ঐতিহাসিক আৰু বৈজ্ঞানিকো আছিল, সেইটো ধবিব পাৰি। শকুন্তলা নাটকৰ আলোচনা বহুত ডাঙ্গৰ ডাঙ্গৰ পণ্ডিতে কবি গৈছে। ইংবাজী ভাষাতো ইয়াৰ আলোচনা যথেষ্ট আছে, মই মাত্ৰ সংক্ষেপে হে শকুন্তলা নাটকক আশ্ৰয় কবি আন কোনো পুথিৰ সহায় নোপোৱা কৈ ওপবত লিখা কথা কেইটি আলোচনা কবিলোঁ। বিস্তৃত ভাবে কবা নহল। ইয়াৰ দোষগুণ পাঠক সকলেহে বুজিব পাৰিব! দোষ থাকিলে মাৰ্জ্জনা কবে যেন।



মায়া

—শ্রীযুত শৰদিন্দু নাথ

কথা—

কবিতা লিখিছিল তেওঁ—ছন্দ বা পদ মিলাই লিখা কবি তেওঁ নহয়। সঁচাকৈ তেওঁ স্বাভাৱিক কবি আছিল। কবিতা লিখি থাকোঁতে ইমান তন্ময় হৈ যায় যে হাতৰ কলম হঠাৎ বন্ধ হৈ যায়—সুদূৰ আকাশৰ পিনে ব' লাগি চাই থাকে। অর্থহীন দৃষ্টিবে উদাস হৈ থাকোঁতে কেতিয়া যে তেওঁৰ হাতৰ পবা কলম সবি পবে—কব নোৱাবে—। কি যে তেওঁ চাই থাকে—কি যে তেওঁক লাগে—কি যে তেওঁ বিচাবে—কোনে জানে—?

কবিতা খিটো সম্পূৰ্ণ হৈ উঠে—সেইটো হয় এটা অপূৰ্ব্ব সৃষ্টি। তেওঁৰ কলমৰ মুখত জাগি উঠে বঙ্গাৰ ঐশ্বৰ্য্য—দুবীয়াৰ কৰুণ কাহিনী—।

* *

লাহে লাহে সেই কবিৰ কথা গাওঁৰ পবা চহৰ—চহৰৰ পবা বাজধানী—শেষত বাজ প্ৰাসাদতো জনাজাত হৈ পবিল—। কবিৰ কবিতা পঢ়ি সকলোতকৈ বেছি আকৃষ্টা হ'ল বজাৰ জীয়েক। গাভৰু তেওঁ, বয়সৰ গুণত স্বাভাৱিকতে তেওঁ বলিয়া হ'ল কবিক চাবলৈ।

* * চাবিও ফালে বিচাৰ লাগি গ'ল—* * ডেকা সেই কবি—সুন্দৰ বহাঁম দেহটি তেওঁৰ বাজকুমাৰীয়ে দেখিলে—তেওঁৰ চকুজুবিত যেন কি এটা মায়া সৃষ্টি ঢালি দিছে বিশ্ব শিল্পীয়ে। ব'লাগি চাই বল। কবিৰ ঠাই হ'ল অন্তঃপুবত।

* * * কবি যেতিয়া আপোন পাহবা হৈ কবিতা লিখিবলৈ আবম্ভ কবে তেতিয়া বাজকুমাৰীৰ প্ৰাণত যেন কোনোবাই আঁচ পাৰি গৈছে বুলি অনুভব কবে—যেতিয়া উদাস হৈ আকাশৰ পিনে চায় তেতিয়া বাজকুমাৰী আপোন পাহবা হৈ একেখবে চাই থাকে সেই চকুজুবিৰ ফালে। যেতিয়া তেওঁ কবিতা পঢ়িবলৈ ধবে তেতিয়া তেওঁৰ প্ৰাণত বাজি উঠে অপূৰ্ব্ব আনন্দ।

* * * *

শৰৎ কাল, পূৰ্ণিমাৰ বাতি, মেঘশূন্য নীলাকাশ। পৃথিবী অপূৰ্ব্ব শোভা ধবিছে—চাবিওফালে জোনৰ পোহৰ পবি। প্ৰাসাদৰ ফুলনিৰ জুবিৰ পাবত বহি আকাশৰ পিনে চাই কবি ভাবি আছে। বাজকুমাৰী ওচবতে বহি—মাত লগালে "কবি—" "কবি"—তেওঁৰ মাত কৰুণ কোমল, কবি আপোন পাহবা—। সেই মাত কাণত সোমোৱা নাই। এনেকৈ তেওঁ আগেয়ে কেবা বাবেই মাতিছে, উত্তৰ পোৱা নাই—উভতি গৈছে—শিলৰ দেৱতা বুলি—। কিন্তু আজি স্থিৰ কৰিলে যে তেওঁ উভতি নাযাব। লাহে লাহে গাত হাত দিলে—। কবি যেন হঠাৎ টোপনিৰ পবা সাৰ পালে। মুখ ঘুবাই দেখে ওচবতে বাজকুমাৰী বহি—দেখিলে সুন্দৰ হাত দুখনি। ই কি সপোন—। বাজ কুমাৰীয়ে কলে, "ভয় পালা নেকি—?"

"ভয়! কিহব? নাই পোৱা।"

"কবি, মোক নোকোৱাকৈ তোমাৰ চকুজুবি আকাশৰ পিনে কি বিচাবি ফুবে?"

"মোৰ মানসীক"—"দেৱতাক"—।

"কোন তোমাৰ মানসী"—? কোন তোমাৰ দেৱতা।"

—কবি নিকত্তৰ—বাজকুমাৰীও নীবৱ।—

কবিয়ে সুধিলে "মই আৰু কিমান দিন এনেকৈ ইয়াতে বন্দী হৈ থাকিব লাগিব?"

বাজকুমাৰী আচবিত হ'ল—উত্তৰ দিলে—

"তুমিতো বন্দী নোহোৱা।"

"মই বন্দী নহওঁ!"—লাহে লাহে কবিয়ে উঠি বাটৰ পিনে খোজ ললে—। বাজকুমাৰী চাই ব'ল—। ভাবিলে মাতো তেওঁক—মুখত মাত নোলালে। আকৌ ভাবিলে পাছে পাছে লবি যাওঁ—কিন্তু উঠিব নোৱাবিলে—।

কবিয়ে আঁকি যৈ গ'ল বাজকুমাৰীৰ প্ৰাণত এটি বেখা—।

* * * *

শিৱসাগৰ মহকুমাত থকা কেইটামান পুৰাণ পুখুৰী

—শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস

অসমৰ ঠাইে ঠাইে অনেক পুখুৰী আছে। প্ৰায়বোৰ দ'ল দেৱালয় আৰু সত্ৰৰ ওচৰতেই পুখুৰী আছে। কিছুমান পুখুৰীৰ নাম আৰু খন্দাৰ বিষয়ে বহুজনক কথা চলি আছে। তেনে কথাৰ ভিতৰতো সত্য নাই বুলি উৰাই দিব নোৱাৰি।

'বাহিৰ-পুখুৰী' 'ভিতৰ পুখুৰী' 'মতা-পুখুৰী' 'মাইকী পুখুৰী' 'ধোৱা-পুখুৰী' আদি পুখুৰীৰ নামৰ পৰাই বুজিব পাৰি যে, অলপ দিন আগত অসমীয়া মানুহে পানীৰ প্ৰতি বিশেষ যত্ন লৈছিল। আহোম ৰজা আৰু দৰঙীয়া ৰজা সকলেও প্ৰজাই ভাল পানী পোৱাৰ দিহা কৰি দিছিল।

উত্তৰ লক্ষীম পুৰ, শিৱসাগৰ আৰু মঙ্গলদৈ অঞ্চলত বহুত পুৰণি পুখুৰী আছে। ডাক পুকৰৰ জনম ভূমি লেহি দণ্ডবাতো তিনশ ষাঠিটা (কিছুমানে নাতশ ষাঠিটা থকা বুলি গায়) পুখুৰী আছিল বুলি যোজনা গায়। সেইবোৰ পুখুৰীৰ চিন হেনো এতিয়াও আছে। অসমত থকা আটাইবোৰ পুখুৰীৰেই সবিশেষ বিবৰণ কোনো বিজ্ঞ লোকে লিখি জনালে সি এখন মূল্যবান পুথি হব। ইয়াত বাহিৰেও পুৰণি দ'ল দেৱালয়, গড়, মৈদাম, আলি আদিৰ বিবৰণো লিখিবলৈ বাকী আছে।

ইয়াত শিৱসাগৰ মহকুমাৰ ভিতৰত থকা পুৰণি পুখুৰী কেইটামানৰ নাম প্ৰকাশ কৰা হল। ইয়াৰ বেছি ভাগ পুখুৰীকেই চোৱাৰ সুবিধা মোৰ হোৱা নাই। কেইটামান পুখুৰীৰ নাম ন কটনী কালুগাৱৰ শ্ৰীযুত দলৈ নেওগ আৰু কিছুমান নাম ছাত্ৰ কিছুমানৰ পৰা পোৱা। ইয়াৰ প্ৰায়বোৰ পুখুৰীয়েই আহোম ৰজাৰ দিনত খনোৱা। লোকৰ পৰা শুনি লিখা বাবেই হুটা এটা নাম লিখাত ভুল হব পাৰে।

(১)। শিৱ সাগৰ পুখুৰী,—এই পুখুৰীৰ চাৰিও পাৰৰ ঘেৰ প্ৰায় দু মাইল। এই পুখুৰীৰ চাৰিও পাৰৰ চাৰিটা নাম আছে। যোৱা ৬১১।৩৪ তাৰিখ কালী পুজাৰ দিনা মই শিৱসাগৰ নগৰৰ ওচৰৰ কাঠপাৰ থানলৈ যাওঁতে তাৰ অধিবাসী শ্ৰীযুত পাহৰৰ গগৈ দেৱৰ পৰা এই নাম চাৰিটা পাওঁ। তেখেতৰ বৰ্ত্তমান বয়স ৮০ ৮৫ বছৰ মান হব।

পুখুৰীৰ পুব পাৰৰ নাম—চেৰেকা পাৰ। ৰজা বা ৰাণীৰ হুকুম মতে চেৰেকা নামৰ এজন মানুহৰ তত্বাৱধানত সেই পাৰৰ কাম হৈছিল। সেই কাৰণেই সেইটো পাৰৰ নাম সেই। নগৰৰ পৰা শিমলুগুৰি জংছনলৈ যোৱা ৰাস্তাৰ কাষত এতিয়াও চেৰেকাপাৰ নামৰ এখন ডাঙৰ গাওঁ আছে।

পশ্চিম পাৰৰ নাম—কাঠ পাৰ। কাষত মানুহ এজনৰ তত্বাৱধানত সেই পাৰৰ কাম হৈছিল। সেই কাৰণেই সেই নাম। আমি ওপৰত কাঠপাৰ থানৰ নাম উল্লেখ কৰি আহিছোঁ।

উত্তৰ পাৰৰ নাম—জয়ৰা পাৰ। জয় নামৰ মানুহ এজনৰ তত্বাৱধানত সেই পাৰৰ কাম হৈছিল। জয়ৰা পাৰ নামৰ গাওঁ এখন আছে।

দক্ষিণ পাৰৰ নাম—ভতীয়া পাৰ। এই পাৰতেই শিৱদল, দেৱীদল আৰু বিষ্ণুদ'ল আছে। ভতীয়া নামৰ মানুহ এজনৰ তত্বাৱধানত সেই পাৰৰ কাম হৈছিল বাবেই সেই নাম। ভতীয়া পাৰ নামৰ গাওঁ এখন আছে।

এনে বোৰ ডাঙৰ পুখুৰী পানীৰ উহ থকা ঠাইতহে খান্দিছিল; আৰু তাকে কৰিবলৈ কৰ্ম্ম কাৰক সকলৰ ভূ তত্ব জ্ঞানৰ বিশেষ দৰ্কাৰ হৈছিল। এই বোৰ যাউতি মুগীয়া কামৰ পৰাই বুজিব পাৰি যে আগৰ দিনৰ

অসমীয়া বাইজৰ সমবেত চেষ্টাৰ ফলত অনেক জন হিতকৰ কাম হৈছিল।

(২)। জয় সাগৰ পুখুৰী (৩) মিঠা পুখুৰী (৪) বৰ নাথ দেৱালয়ৰ পুখুৰী (৫) পাহগড় পুখুৰী (৬) পাজী কটা পুখুৰী (৭) বৰ পাত্ৰ দ'ল বা লক্ষী সাগৰ পুখুৰী (৮) ন পুখুৰী (৯) পুবণী পুখুৰী (১০) গৌৰী সাগৰ পুখুৰী (১১) ভবালী বকৰ পুখুৰী (১২) চাৰিঙা পুখুৰী (১৩) বামুণ পুখুৰী (এই নামৰ পুখুৰী দুটা আছে বোলে) (১৪) তকান পুখৰী (১৫) নিতাই পুখুৰী (১৬) নিমাই পুখুৰী (১৭) ধিতাই পুখুৰী (১৮) টেঙা পুখুৰী (১৯) বগীদল পুখুৰী (২০) মেছা গড় পুখুৰী (২১) মেছা গড় পুখুৰী(২১) ৰাজ মাও পুখুৰী (২২) মিঠা পুখুৰী (২৩) কেৰী গাভৰু পুখুৰী (২৩) কেৰী গাভৰু পুখুৰী (২৪) যাওৰা দল পুখুৰী (২৫) শংখোৱা পুখুৰী (২৬) ধনা খোকোৱা পুখুৰী (২৭) মল গৌৰ জীয়েকৰ পুখুৰী (২৮) তেলীয়া ডোঙা পুখুৰী (২৯) শিল পুখুৰী (৩০) দুল পানী ছিগা পুখুৰী (৩১) নেওগ—গোহাই পুখুৰী (৩২) নাজিৰৰ পুখুৰী (৩৩) দেও ৰজাৰ মৈদামৰ পুখুৰী (৩৪) তামুলী পুখুৰী (৩৫) বৰ গোহাই পুখুৰী বা পেটু খোৱা পুখুৰী—এজনা বৰ গোহাঞে হেনো এই পুখুৰীৰ পানীত সদায় বাতি পুৱাৰ আগ ভাগতে নিজৰ পেটু উলিয়াই দুইছিল।

তেতিয়া সেই কাম কোনেও দেখা নাছিল; পিছত এদিন তেতিয়া মাজু পুতেকে হেনো তেওঁ পেটু উলিয়াই দুই থাকোঁতেই দেখা পায়। আনে দেখা বাবেই বৰ গোহাঞে আৰু পেটৰ ভিতৰত পেটু সুমুৱাব নোৱাৰি পুখুৰীৰ পাৰতেই ইহ-লীলা সম্বৰণ কৰিলে। সেই কাৰণেই পুখুৰীটোৰ নাম সেই হয়।

(৩৬) ৰাজ মাই পুখুৰী (৩৭) বুঢ়া গোহাই পুখুৰী বা পোকা পুখুৰী (৩৮) ৰবা ঘৰৰ পুখুৰী (৩৯) ফল পানী পুখুৰী (৪০) চৰাই ঘৰীয়া পুখুৰী (৪১) কাঠৰ পুখুৰী (১২) সোন্দৰ পুখুৰী (৪৩) বেল তলৰ পুখুৰী (৪৪) বহ চলা পুখুৰী (৪৫) শিহ মৰা বা শিহ মেলা পুখুৰী (১৬) টাঙোন ধৰা পুখুৰী (৪৭) বৰ বকৰা পুখুৰী (৪৮) যুদ্ধা পুখুৰী (৪৯) লখিমী পুখুৰী (৫০) পানী ফুকন পুখুৰী (৫১) আই দেও পুখুৰী (৫২) ৰজা পুখুৰী (৫৩) আধা বাৰী পুখুৰী (৫৪) সোণাৰি পুখুৰী (৫৫) বাম গাঁ দেৱালয় পুখুৰী (৫৬) ধাই-পুখুৰী (৫৭) ৰজাবাৰী পুখুৰী (৫৮) নামতোল পুখুৰী (৫৯) লিগিৰী পুখুৰী (৬১) মুমলীয়া পুখুৰী।

ইয়াত কেইটামান পুখুৰীৰহে নাম দিব পৰা হল; আৰু কিমানৰ নাম, বাকী থাকিল কব পৰা নাই। আমাৰ নিচিনা চুকত সোমাই থাকিব লগীয়া হোৱা মানুহৰ দ্বাৰা আটাইবোৰ পুখুৰীৰ নাম দিব পৰা টান। ইয়াতেই যি কেইটা পুখুৰীৰ নাম প্ৰকাশ কৰা হল, তাৰেই মন কৰিলে বুজা যায় যে, শিৱসাগৰ মহকুমাৰ বহুত মানুহে আগৰ ৰজা দিনীয়া পুখুৰীৰ পানী খাবলৈ সুবিধা পায়; আৰু সেই বুলিয়েই সিবিলাকে গৌৰৱো অনুভৱ কৰিব পাৰে। কিন্তু এতিয়া বহুত পুখুৰীৰ অৱস্থা বেয়া; মানুহে আৰু মহ আদিয়ে পুখুৰীৰ পানী প্ৰকৃততে বাৰহাৰৰ অনুপযুক্ত কৰে। জল ৰাণী নাৰায়ণ হলেও গেলা পঁচা যন্ত্ৰ পৰি অপবিত্ৰ বা দূষিত হোৱা পানী খালে মানুহৰ বেমাৰ নহব কিয়?

পানী ভালে বাখিবলৈ আমি কেইজনে বিশেষ বকমে তত্বাৱধান লওঁ?



ছদ্মবেশী

(প্রথম খণ্ড)

* উপন্যাস— —শ্রীযুত শান্তিরাম দাস বি-টি

প্রথম অধ্যা

লেডী ইছা বেল

সুন্দৰ অট্টালিকা। সমুখত ছুয়োকাষে জকমক্‌কৈ ফুলি থকা নানান ওৱনী ফুলেৰে ফুলনি। তাৰ সোঁ-মাজতে ছটা ক্ৰত্তিম উহেঁ (Fountains) ওপৰলৈ চাৰিও-ফালে পানী ছটিয়াই আছে। পদুলি মুখত দুই ফালে দুজন দুৱৰী থিয় হৈ আছে। অট্টালিকাৰ সোঁ-মাজতে মনোহৰ নানান ধুনীয়া বস্তুৰে সজোৱা এটা সুন্দৰ আহল-বহল কোঠালি। তাৰ সোঁ-মাজতে এখন ধুনীয়া মেজ। লৰ্ড মাউণ্ট চেভাৰ্ণ উইলিয়াম্ ভেনে সমুখৰ মেজৰ ওপৰত কিছুমান কাকত পত্ৰ থৈ এখন হেলনীয়া চকীত শুই কিবাকিবি ভাবি আছে। তেখেত উঠিবই নোৱাৰে—গোটেই শৰীৰ—বিশেষকৈ ভৰি দুখনত বাত বিষে ছাটি ধৰিছে লৰচৰ কৰে কেনেকৈ?

উইলিয়াম্‌ভেন এজন জনাজাত উচ্চ ৰাজবংশৰ লৰ্ড সন্তান। তেখেত নাছিল এজন ৰাজনীতিজ্ঞ,নাছিল সৈনিক, নাছিল ৰাজ বিষয়া, নাছিল পাৰ্লেমেণ্টৰ মেম্বৰ; তেখেত আছিল এজন ধৈর্য্যহীন খুব কৃপণ স্বভাৱী জুৱা পাশা খেলত নিপুণ সদানন্দ পুৰুষ। বৰ দুখীয়া হলেও সজবংশ জাত ভদ্ৰলোকৰ সন্তান—লৰ্ড বংশৰ ওয়াৰিছ তেখেতৰ বয়স যেতিয়া ২৫ বছৰ, অক্সফোৰ্ড কলেজত পঢ়ি, তেখেতে আইনমতে বছৰি ৬০ হাজাৰ পাউণ্ড (প্ৰায় ৯ ন লাখ টকা) আয় হোৱা জমিদাৰী এখন উত্তৰাধিকাৰী সূত্ৰে পালে।

পোন প্ৰথমতে তেখেতে ভাবিছিল যে তেখেতে ইমান অতুল সম্পত্তি কি কৰিব? কেনেকৈ খৰচ হব? সন্তবপৰ কথানে? তেখেতৰ মগজ ঘুৰি গল।.....সময়ত সঙ্গী মিলিল; খৰচৰ বাট মুকলি হল। তেখেতক সকলোৱে ভাল পালে, মৰম কৰিলে, ভাল বুলি ওপৰলৈ তুলি দিলে। তেখেতে সকলোৰে ননীৰ পুতুলা আলাসৰ লাক যেন হৈ উঠিল। খৰচৰ বাট ওলাল—খৰচ হবলৈ ধৰিলে। আমোদ প্ৰমোদ স্ফূৰ্টি চলিব ধৰিলে। কিছুদিন চলিল। সংসাৰৰ গতি পৰিবৰ্ত্তন-শীল—চিৰদিন সমানে নাযায়। আহিল নাটনিৰ আৰম্ভ। আমোদ-প্ৰমোদ সুন্দৰকৈ চলিয়ে থাকিল। অভাৱে স্বভাৱ নষ্ট হল—ধাৰৰ সংখ্যা বাঢ়িল। সৰশেষত তেখেতৰ অৱস্থা বিশেষকৈ আৰ্থিক অৱস্থা কেনে হৈ উঠিলগৈ, তাক জন সাধাৰণে ভালকৈ জানি উঠিল, তাতোকৈ ভালকৈ জানিলে তেখেতৰ ভিতৰুৱা বন্ধু সকলে আৰু তাতোকৈ ভালকৈ জানিলে তেখেতৰ সম্পত্তি গৰাকী মহাজন সকলে। তেখেতেৰ কেনে অৱস্থা!

লৰ্ড উইলিয়াম ভেনে শুই ভাবি-চিন্তি আছিল। কপালৰ আগৰ থোপা হোৱা শিৰ কেউ ডালৰ পৰা অনুমান হয় যেন তেখেতে তেখেতৰ অতীত জীৱনৰ কথা ভাবিছিল। তেখেত নষ্ট হৈছিল তেখেতৰ আলাসৰ লাক জমিদাৰিণী গৰাকীৰ পৰা। তেখেত সকলৰ সতি-সন্তানৰ ভিতৰত কণহী ছোৱালী এজনী মাথোন—আৰু নাই।.....এই বোৰ কিবাকিবি ভাবি থাকোঁতেই দুৱৰী এজনে মুৰ দোঁৱাই কলেহি, "দেউতা, বহা টোপৰত ভদ্ৰলোক এজন বৈ আছেহি।" লৰ্ড উইলিয়ামে দুৱৰীয়ে অনা কাকত খন নোচোৱা কৈয়ে সুধিলে "কোন তেওঁ?"

দুৱৰী—ৰেষ্টলিনিৰ মিষ্টাৰ কাৰ্লাইল।

মিষ্টাৰ উইলিয়ামে নিজে নিজে কৈ উঠিল, "ৰেষ্টলিনিৰ মিঃ কাৰ্লাইল? তেওঁ ইয়ালৈ কেলেই আহিছে?" দুৱৰীক কলে, "তেওঁক ইয়ালৈ মাতি আনগৈ।"

* ইংৰাজী Disguise অৰ ভাঙনি—লিখক

মিঃ কাৰ্লাইল ভিতৰ মোমাই আছিল। নমস্কাৰ কৰা কৰিকৈ চকী এখনত বহিল। কথা আৰম্ভ হল।

মিঃ কাৰ্লাইল দেখনিয়াৰ ডেকা উকীল। সুন্দৰ চেহেৰা, নাকে-মুখে হাতে-ভৰিয়ে, মুখৰ আকৃতিয়ে এজন শিক্ষিত ভদ্ৰলোক। এজন অক্সফোৰ্ডৰ ডিগ্ৰীধাৰী মেধাবী ছাত্ৰ। তেওঁক সকলোৱে ভাল পাইছিল। তেওঁৰ অমায়িকতাত সকলো মোহ যৈছিল। তেওঁৰ স্বভাৱ-চৰিত্ৰ সকলোৰে আদৰ্শৰ স্থল আছিল।

মিঃ কাৰ্লাইলক হাত-জোকাৰি মিঃ উইলিয়ামে কলে, "তোমাক দেখি মই বৰ সন্তোষ পালোঁ। কি সকামে তুমি আহিলা?"

মিঃ কাৰ্লাইলে লাহে ধীৰে কলে, "ডাঙৰীয়া, শুনিব পাৰোঁ যে আপোনাৰ ইষ্টলিনি জমিদাৰীখন বিক্ৰী হব। কথা সঁচানে?"

মিঃ উঃ—কিয় সুধিলা এই কথা? তুমি কোনো মহাজনৰ হকে কিবা ভিতকৰা খা-খবৰ লবৰ ছলেবে আছিলা নেকি? ভাঙ্গি কোৱাঁ।

মিঃ কাঃ—ডাঙৰীয়া, মোৰ সেইদেখা বুদ্ধি আছে। মই শুনিছোঁ যে আপোনাৰ ইষ্টলিনি কোনোৱে নজানাকৈ গুপ্তভাৱে বিক্ৰী হব। আপোনাৰ এজেণ্ট এজনে মোক আধাআধি কথা বিশ্বাসতে দিছে। যদি কথা সঁচা হয় তেন্তে ময়ে তাৰ গ্ৰাহক আছোঁ।

মিঃ উঃ—কাৰ নিমিত্তে?

মিঃ কাঃ—মোৰ নিজৰ নিমিত্তে।

মিঃ উঃ হাঁহি মাৰি কলে, "হয় নেকি? তেনেহলে বেছ্ বেছ্।"

কথা-বাৰ্ত্তা চলিল, বন্দোবস্ত দৰদাম ঠিক হল। কথা থাকিল, "ইষ্টলিনি বিক্ৰী হলেও মিঃ উইলিয়াম নিজ ইচ্ছানুযায়ী কিছুকাল তাত থাকিব পাৰিব।" সকলো কথা-বতৰা মাস্তি হোৱাৰ পিছত নানা ৰকম আলাপ চলিল। কথাই কথাই ৰাতি হল। মিঃ উইলিয়ামে মিঃ কাৰ্লাইলক তাতেই খাই বৈ যাবলৈ অনুৰোধ জনালে। 'হা হা, হু, হু'ৰ পিছত মিঃ কাৰ্লাইল মান্তি হ'ল।

খোৱা ঘৰত এখন দুৱাৰেদি মিঃ উইলিয়াম আৰু মিঃ কাৰ্লাইলে সোমালগৈ; তাৰ বিপৰীত ফালৰ দুৱাৰ এখনেদি আৰু এজন সোমালহি। মিঃ কাৰ্লাইলে দেখিছেই আচৰিত মানিলে, মানুহনে—দেৱী! এজনী সুন্দৰী ১৬।১৭ বছৰীয়া কণহী ছোৱালী ওচৰ চাপিলহি। বৰ দেখনীয়াৰ ছোৱালী বাস্তৰিকে। মিঃ কাৰ্লাইলে সপোন দেখা যেন পালে। তেওঁ মনুষ্য পুৰীতে স্বৰ্গপুৰী পালে। মিঃ উইলিয়ামে তেওঁৰ চিনাকী কিব কলে, "মোৰ একমাত্ৰ চেনেহৰ পুতুলা লেডী ইছাবেল, মিঃ কাৰ্লাইল।" মিঃ কাৰ্লাইলে সেই পিনে তথাগাগি লেডী ইচ্ছা বেলৰ বেহৰূপ চাই থাকিল।

খোৱা-লোৱা শেষ হ'ল। বাপেকে জীয়েকক সুধিলে, —আইটি কাপোৰ-কানি পিন্ধি ওলাইছানে?

লেডীইছাবেলে—"ওলাইছোঁ পিতা। পদুলিত গাৰী বৈ আছেহি। বাটতে ভেন আইদেৱেও বৈ আছে। এতিয়া যাওঁহে তেনে।" বাপেকে হাতখনত থাপমাৰি ধৰি বুকুৰ ওচৰলৈ টানি নি—'মোৰ মাইচানা'—বুলি কৈ গোলাপী গাল দুখনত দুটা চুমা খাই লেডী ইচ্ছাবেলক যাবলৈ বিদায় দি মিঃ কাৰ্লাইলৰ ফালে চাই কলে, "মিঃ কাৰ্লাইল, অনুগ্ৰহকৈ চাকৰ এজন মাতি দিবানে? দেখিছা নহয়নে উঠিবই নোৱাৰোঁ—ভাঙ্গৰীয়া, ক্ষমা কৰিবা মাইচানাক গাৰীত তুলি দি আহিব লাগে।"

কথাশুনি মিঃ কাৰ্লাইলে কণ্ঠ নকণ্ঠকৈ কলে, "যদি আপুনি অনুমতি দিয়ে আৰু যদি"—বুলি লেডী ইছাবেলৰ ফালে কেবাহিকৈ চাই কলে "লেডী ইছাবেলে অপমান বুলি নাভাবে, তেন্তে ময়ে—।"

মিঃ উইলিয়ামে তেওঁক ধন্যবাদ দিলে; ইছাবেলেও মিচিকিয়া হাঁহি এটি মাৰি আগলি কৃতজ্ঞতা জনালে। মিঃ কাৰ্লাইলে লেডী ইছাবেলক কাষে কাষে লৈ গৈ হাতত ধৰি গাৰীত তুলি দিলেগৈ। দুয়োৱে অন্তৰেদি অজানিতভাৱে বিজুলী প্ৰবাহ এসোঁত বৈ গল! কাক কোনে জানিলে, চিনিলে! লেডী ইছাবেলৰ গাৰী ঘুৰঘুৰকৈ বাগৰি গুছি গল। কাৰ্লাইলে সেইপিনে ক্ষণেক চাই থাকি—ভগা অন্তৰেবে তলঘুৰকৈ—মিঃ উইলিয়ামৰ শোৱনি ঘৰলৈ খোজ ললে।

দুয়োরে কথাবর্ত্তা হ'ল। লেডী ইডাবেলর প্রশংসা গল্পর মাজেদি ইষ্টলিনি বিক্রী হৈ গ'ল। কথা থাকিল যে এই বিক্রী সংবাদ কার্লাইলে খুব গুপ্তভাবে বাখিব আৰু মিঃ উইলিয়াম জীয়াই একা কার্লিনি নিজ ইচ্ছামতে থাকিব পাবিব। সিদিনাই তেথেতে তাৰ পৰা নিজ ইচ্ছামতে ওলাই যায়, সেই দিনাৰ পৰাহে সেই মাটি-বাৰী, ঘৰ-দুৱাৰ, সাজ-সৰঞ্জাম সমস্ত মিঃ কার্লাইলৰ অধীনলৈ আহিব। দুয়ো পক্ষৰ লেখা পৰা হ'ল। সৰ্ত্তশেহত কার্লাইলে মিঃ উইলিয়ামক এহাজাৰ দি মুৰ দোৱাই নিজৰ ঘৰলৈ (ষ্ট্রেইলিনিলৈ) খোজ ললে। বাটে বাটে তলমুখকৈ ভাবি গ'ল লেডী ইডাবেলৰ কথা, "কি সুন্দৰী, দেখনিয়াৰ মনোমোহা গাভৰু—ছোৱালী জনী! নাজানো বিধাতাৰ কি ইচ্ছা!"

লেডী ইডাবেল মিছেছ্ ভেনৰ লগত মিছেছ্ লেডী চনৰ ঘৰ পালেগৈ। মিছেছ্ লেডীচন্ এগৰাকী ৮০ বছৰীয়া ভদ্ৰ মহিলা। তেওঁ বৰ কড়া ধৰণৰ তিবোতা। তেওঁ মিছেছ ভেন আৰু লেডী ইডাবেলৰ পলমকৈ অহা দেখি বৰ বেজাৰ প্ৰকাশ কৰিলে আৰু কিবাকিবি বকি ছুয়েকে চাহ খোৱা মেজৰ ওচৰলৈ লৈ গ'ল। সকলোটিয়ে চাহ খাবলৈ লাগিল।

সেই মেজতে মিছেছ লেডীচনৰ নাতি লৰা—ফ্রান্‌ছিছেও চাহ জল-পান খাই আছিল। তেওঁ, নাতিয়েকৰ চিনাকি দি কলে, "মোৰ নাতি লৰা ফ্রান্‌ছিছ্, কেপ্টেন্ লেডীচন, লেডী ইডাবেল।"

ফ্রান্‌ছিছ এজন আটক ধুনীয়া ওপ পাতলা শৰীৰৰ চাফ-চিকন ডেকা। মিছেছ্ লেডীচনৰ নাতি, কাজেই ঐশ্বৰ্য্যশালী ধনকুবেৰ বুঢ়া মিঃ লেডীচনৰ ষোল আনাই ভবিষ্যত উত্তৰাধিকাৰী।

মিছেছ লেডীচনে ফ্রান্‌ছিছৰ ফালে চাই কলে "লেডী ইডাবেল, লেডীচন।" কেপ্টেন লেডীচনে প্রশংসা বিদিদি ওলোৱা চকুৰ চাৰনিবে লেডী ইডাবেলৰ ওপৰত দৃষ্টি পেলালে। সংসাৰ ক্ষেত্ৰত তেনেই কেঁচা—অপইতা আজলী ছোৱালী ইডাবেল সেই পিনে বঙা পৰি উঠিল। তেওঁৰ ভবি পিছলিল! অৱাক্! কাৰণ তেওঁ সেই একে দিনাই একে সময়তে প্রায় এগৰাকী ভিতৰতে দুঃন ডেকাৰ কৃপা দৃষ্টিত পবিল। দুয়োজনেই তেওঁৰ ভবিষ্য জীৱনৰ ওপৰত এনে চিৰকলীয়া সাঁচ ঢালিলে!

লেডী ইডাবেলৰ গণত বহুমূলীয়া সোণৰ হাৰ এডাৰি আছিল; তাৰ মাজতে হীৰা খটোৱা এটা ক্রচ (+) আছিল। মিছেছ লেডীচনে সেইটোৰে আঙুলিয়াই কৈ উঠিল, সেইটো বৰ ধুনীয়া ক্রচ আহদেও।"

ইডাবেলে মিচিকিয়া হাঁহি এটি মাৰি উত্তৰ কৰিলে, "এৱা, দেখিবলৈ ভালনে? এইটো আই চুকাৰৰ সময়ত মোক উপহাৰ দি গৈছে। বৰ, মই এইটো খুলি দিওঁ; মই ইয়াক সদায় নিপিন্ধো, এফালে ওলাই গলেহে পিন্ধো।" কোৱাৰ লগে লগে ইডাবেলে সেই বহু মূলীয়া, মৃত জননীৰ স্মৃতি-উপহাৰ হীৰাখটোৱা ক্রচটো খহাই মিছেছ লেডীচনৰ হাতত দিলে। তেওঁ হাতত লৈ ক্রচটোক শত শতবাৰ প্রশংসা কৰি—ইফাল সিফাল লুটিয়াই চাই, "লোৱা আইটি, লোৱা" বুলি—ইডাবেলৰ ফালে আগবঢ়াই দিলে। ওচৰতে আছিল কেঃ লেভীচন বহি। ইডাবেলৰ দিবৰ নিমিত্তে তেওঁ মিছেছ লেডীচনৰ হাতৰ পৰা ক্রচটো আনি লেডী ইডাবেলৰ ফালে আগবঢ়াই দিলে। কিন্তুতে হাত থাকিল ক্রচটোত, কিন্তু চকু থাকিল ইডাবেলৰ গোলাপী বৰণীয়া মুখ খনিত। ক্রচটো ধৰিবৰ নিমিত্তে ইডাবেলে হাত মেলিলে। কেঃ লেডীচন দেখিবলৈ কুৰূপা আছিল বুলিয়েই হওক, বা লেডী ইডাবেলৰ হাতত মুখ-মোচা, হাত-মোজা, আদি থকাৰ বাবেই হওক ক্রচটো মাটিত সৰি পবিল। ডেকা লেডীচনে খতমত খাই লৰালৰিকৈ ধৰিম বুলি উঠিব খোঁজোতেই ভৰিৰ ক্রচটোৰ ওপৰতে পবিল! ক্রচটো দুখণ্ড হ'ল! মিছেছ লেডীচনে ঘটনা দেখি জাপ মাৰি উঠিল—কলে, "বেছ হৈছে—কাৰ দোষ!"

লেডী ইডাবেল নিমাত। অন্তৰ ভাৱেৰে পবিপূর্ণ। ততালিকে ভঙ্গা ক্রচটো তুলি ললে। চকুভৰা লোটৰ সোঁতে ক্রচটো দুৱাই পেলালে। কিছু সময় তলমুখকৈ কান্দি চকুলো মুছি পেলাই কেঃ লেডীচনক কলে, "কোনো বেজাৰ নকৰিবা, দোষ তোমাৰ নিমান, মোৰো নিমান।"

* * * *

খোৱা লোৱা শেষ হ'ল। হাঁহি-ধিকিদালিবে কথা-বতৰাও শেষ হ'ল। কেঃ লেভীচন, লেডী ইডাবেল আৰু মিছেছ ভেন্ নাট ঘৰলৈ—নাচ চাবলৈ গলগৈ। ডেকা প্রেমিক লেডীচনে লম্পটস্বভাবী একেমাটতে পানী-খোৱা কেবাজনো বন্ধু-বান্ধবৰ ঠাট্টা বিদ্রূপৰ বাণ অকাতবে সহিব লগাত পবিল।

দ্বিতীয় আধ্যা

মিছ্ বাৰবাৰা হেয়াৰ

ষ্ট্রেইলিনি এখন সক চহৰ। ই ইষ্টলিনিৰ পৰা পশ্চিমে এমাইলমান আঁতৰত। ইষ্টলিনিৰ পৰা যাবলৈ সেন্দুৰীয়া সুন্দৰ পকা আলি, কিন্তু একেবাৰেই নীবল—জনশূন্য ঠাই। তাৰ দুয়োকাষে শাৰী শাৰী ওপ গছ গজনিয়ে তাৰ প্রাকৃতিক শোভা দুগুণে বঢ়াইছে। আলিৰ মুবতে এটি সুন্দৰ অট্টালিকা। তাৰ সমুখতে এখনি ফুলনি। লঙণাবুৰৰ পৰা প্রায় দুশ গজমান আঁতৰত গছগুছনিবে ভৰা এখন ফলফুলৰ বাগিছা। দুখীয়া হেয়াৰ পৰিয়ালৰ এয়ে যথাসম্পত্তি কুঞ্জবন।

এদিন গধূলি। জাৰ কালি মাৰ্ত্ত মাৰ্ত্ত কবিছে। জাষ্টিছ হেয়াৰ বন্ধুবান্ধবেবে সৈতে বংঘবলৈ (Club house) গৈছে। মিচেছ হেয়াৰ চিবকণীয়া। তেওঁ এখন নোমৰ কাপোৰ গাত দি জুইৰ ওচৰত কিবা কিবি ভাবি সুখ মনেবে বহি আছে। খিবিকীৰ মুখতে ১৬১৯ বছৰীয়া দেখনীয়াৰ ছোৱালী এজনীয়ে হাতত কিতাপ এখন লৈ মাজে মাজে তাৰ পাতদিয়েক লুটিয়াইছে;—আকৌ কেতিয়াবা খিবিকীলে বাহিবলৈ চাই পঠিয়াই উদাসভাবে কিবা ভাবিছে, কোনে কব— কি ভাবিছে? তাৰ মাজতে একোবাৰ নিজে নিজে কৈ উঠে, "তেওঁ

কেতিয়াকৈ ঘৰলৈ উভতিব? আঃ, তেওঁক দেখা নোপোৱাত মনটো কেনেবা উকন্না উকন্না যেন লাগিছে। মইতো আচৰিত! তেওঁক তাঁলৈ কিহে টানি নিলে? তেওঁক তাত কিহে পালে? কিয় ইমান দিন পলম কবিছে? কৰ্ণেলিয়া বাইদেউ দেখোন দুই এদিনতে ফিবি আহিব বুলি কৈছিল। কিন্তু ক'তা? আজি দেখোন ৫৬ দিন হলহি, তথাপি মানুহৰ জনৰ দেখা দেখি নাই! আৰু বা কি কথা, কি বাৰ্ত্তা!" দীঘলকৈ দুমুনিয়াহ এটা পেলাই মিছ বাৰবাৰা হেয়াৰে আকৌ এবাৰ বাহিবলৈ চাই পঠিয়ালে।

ফবিং ফুটা সুন্দৰ জোনাক নিশা। জোনবাই মুবৰ ওপৰত, চাবিদিশ চলচলীয়া হৈ পবিছে। মিছ বাৰবাৰা ঘৰত থিবেৰে থাকিব নোৱাৰিলে; গাত নোমৰ কাপোৰ এখন দি এখোজ দুখোজেকৈ ফুলনি এবি লঙলা পাৰ হল—ফলৰ বাগানৰ মাজত কুঞ্জন পালেগৈ। এনেতে ওপৰত মানুহৰ ভবিৰ শব্দ শুনিলে, তেওঁ পাছু হোহকা মাবি কুঞ্জৰ ভিতৰ সোমাল। ক্রমে মানুহৰ গাঁথাবি ওচৰ চাপিলহি। বাৰবাৰা আকৌ ওলাই আহিল। তেওঁৰ অন্তৰত শয়নে, সপোনে, জাগৰণে একমাত্র ভাৱনা মিঃ কার্লাইল। মানুহজন তেওঁৰ ওচৰ নৌ পাওঁতেই তৎক্ষণাৎ কৈ উঠিল। "কোন? কার্লাইল দা?"

বাস্তৱিকে মিঃ কার্লাইল তেওঁৰ সমুখত উপস্থিত। তেওঁ আচবিত হৈ সুধিলে, "কোন? বাৰবাৰা? এই বাতি তুমি অকলে ইয়াত কি কবিছা? চোকৰ পৰ দিছা নেকি? ছিঃ তোমাৰ ভয় লাগা নাইনে?" বুলি কৈ হাতত ধবি সুধিলে, "মা কেনে?"

মিছ বাৰবাৰাৰ অন্তৰ থোকি-বাথোকি লাগিল। অভিমানৰ তেজাল মূর্ত্তি ধবি, হাতেবে চৰাৰ থন মেলি দি কৈ উঠিল "থৈ দিয়া তোমাৰ লেবেলা আৰবৰ মোনাখন। তুমি কেতিয়া আহিলা?"

"এই মাত্র আহিলো—৮ বজাৰ গাৰীত। বাহিবে বাহিবে পাঁচ মিনিটমানৰ বাবে অফিচঘবলৈ গৈছিলোঁ কিবা বৰ জৰুবি কাম এটা আছিল। এতিয়া বিশেষ কাবণে এজন ভদ্রলোকক লগ পাম বুলিহে এইফালে আহিছোঁ—ঘৰলৈ যোৱাই নাই।"

"বাক্ হৈছে, এতিয়া ভিতৰলৈ যাওঁ বলা।"

"নহয় এতিয়া নাযাওঁ উভতি আহোতে সোমাই মাত লগাই যাম।" "নালাগে, এতিয়াই বলা। পিতাও ঘৰত নাই, তেওঁ বন্ধু বান্ধৱৰে সৈতে নাট ঘৰলৈ গৈছে, আহোতে আহোতে ১২ মান বাজিব।"

কার্লাইল খমকি বল, মুখ তললৈ হালিল। কিছু সময় ভাবি নিজে নিজে কৈ উঠিল—"তেনেহলে তেওঁক লগ পোৱা মিছা হল, অকলে লগ নাপালে কোনো কাজো নহয়—একেবাৰে গোপনীয় কথা। বাক্ বলা তেনেহলে" বুলি কৈ বাৰবাৰাৰ হাতখন দুৱাৰৰ পৰা এবাই দি নিজে দুৱাৰ বন্ধ কৰিলে আৰু বাৰবাৰাৰ হাতখন তেওঁৰ বাহুৰ তলত সুমাই লৈ কথাচ্ছলে লাহে লাহে মিচেছ হেয়াৰৰ শোৱনি ঘৰ লক্ষ্য কৰি খোজ ললে। দুয়োৰে এনে দেখাশুনা আৰু ব্যৱহাৰ প্ৰণালীত কিবা দোষৰ ভাপ-গোন্ধ থাকক নাথাকক—কিন্তু মিছ বাৰবাৰাৰ মনোৰাজ্যত যে কার্লাইলৰ মনোমোহা বংশীবদন মূৰ্ত্তিৰ আচ পৰিছিল ই নিশ্চয়।

কার্লাইল আৰু বাৰবাৰাৰ মাজত নানা ৰকম কথা বতৰা হ'ল। দুয়োকে দুই কুশল বাতৰি জনাল। ঘৰৰ থাবৰ ললে। কার্লাইলৰ হাতত পৰিপাটিকৈ সোমোৱা কাগজৰ টোপোলা এটি দেখি চঞ্চলমতিৰ বাৰবাৰাই সুধিলে,—"এয়া কি কার্লাইল দা?"

মিঃ কার্লাইল—"এতিয়াই নকলোঁনে যে মই লণ্ডনলৈ গৈছিলোঁ। সেয়া তোমাৰ মাৰাৰ নিমিত্তে এখন নোমৰ কাপোৰ। লণ্ডনলৈ গলে বৰ খৰচ, প্ৰত্যেক বাৰতে বন্ধু বান্ধৱলৈ এবিধ নহয় এবিধ বস্ত্ৰ আনিবই লাগে।" মিচিকিয়া হাহি এটি মাৰি বাৰবাৰাৰ ফালে চাই কলে, "বৰা তোমালৈও কিবা এটা আনিছোঁ নহয়।" "চাওঁ কি আনিছা।"

"থৰক বৰা ইমান ধৈর্য্যহীন হোৱা কেলেহ?"

তেওঁ জেপ কেইখন ঘাটিবলৈ ধৰিলে। সকলো কেখন জেপ বিচাৰি ভালেখিনি পৰৰ মৃৱত মাজতে টলৰলকৈ অলি থকা ডুগডুগীৰে সৈতে এধাৰি চিকমিকিয়া সোণৰ হাৰ উলিয়াই আনিলে, বুকুখনে ধপছ ধপছ কৰিব ধৰিলে। তেওঁ কার্লাইলক কৃতজ্ঞতাৰ ধন্যবাদ এষাৰো দিবলৈ সময় নাপালে, সোণৰ হাৰে তেওঁৰ ডিঙি আৰু বুকু শোভা কৰিলেহি।

মিছ বাৰবাৰা আৰু মিঃ কার্লাইল দুয়ো মিছেছ হেয়াৰৰ আগত উপস্থিত হলগৈ। কার্লাইলে হেয়াৰক নমস্কাৰ জনালে। দুয়ো দুখন চকীত দুফালে বহিলগৈ। বাৰবাৰাৰ হাহি ভৰা মুখ চকু কিটাও আনন্দেৰে উপচিপৰা। মিচেছ হেয়াৰে কার্লাইলৰ লগত কথা পতাৰ লগে লগে বাৰবাৰাৰ ফালেও চকু পৰিছিল। মিচিকিয়া হাহি ভৰা ওঠ কিটাৰ তলতে সোণৰ হাৰৰ লগত অলি থকা হীৰাখণ্ড ডিঙি বুকু পৰ্য্যন্ত সোণত সুৱগা যেন মিলা দেখি মিছেছ হেয়াৰে আনন্দতে দুলি উঠি সুধিলে, "ক'ত পালা মইনাটি? আই ঐ মোৰ লাহৰী মইনাটি!" কথাকণি বাৰবাৰাই বিবিৰি ওলোৱা হাহিটি টিপ মাৰোতেই—কার্লাইলে উত্তৰ দিলে, "ক্ষমা কৰিব সেইটো ময়ে এতিয়াই বাৰবাৰাক প্ৰীতি-উপহাৰ দিছোঁ।"

মিচেছ হেয়াৰে আচৰিত হৈ দুখমনেৰে কলে, "বৰ ভুল কৰিলা কার্লাইল, বৰ ভুল কৰিলা। তোমাৰ বাইদেউৰা মিছ কর্নিয়ে (কর্নেলিয়া) তোমাক বৰ খং কৰিব। এই বাৰে তুমি তেওঁৰ নানা কটুকথা শুনিব লাগিব। তেওঁ এইবোৰ বাহিবা খবচ মুঠেই ভাল নাপায়।"

মিঃ কার্লাইল—"একো ভয় নাই মাইজী। মই নিজে আজ্জিছো, নিজে খৰচ কৰিছো, তাত বাইদেউৰ হকা-বাধা কৰিবৰ কোনো কাৰণ নেদেখোঁ। মোৰ এনেকৈ কত খৰচ হয়। আয়ো যথেষ্ট হয়; একো নাভাবিব আপুনি। এই যে আপোনাৰ নিমিত্তে গলত লোৱা এখন নোমৰ জাৰ কাপোৰো আনিছো—লণ্ডক।"

কার্লাইলে নোমৰ জাৰ কাপোৰখন মিচেছ হেয়াৰৰ ফালে আগবঢ়াই দিলে আৰু কাপোৰখনৰ ইপিঠি সিপিঠি লুটিয়াই দেখাই কৈ গল—"বৰ ভাল কাপোৰ মেদাম; বেছ পাগ আছে, বহুত দিন টিকিবও, ৰংটোও বেছ সুন্দৰ।"

মিচেছ হেয়াৰে কাপোৰখন গ্ৰহণ কৰিবলৈ হাত দুখন বঢ়াই—নিদিলেও তেওঁৰ চকু থাকিল কাপোৰত, কাণ থাকিল কার্লাইলৰ প্ৰশংসা-বাক্যত, অন্তৰ উপচি পৰিল আনন্দত। হাতদুখনে কেতিয়া কাপোৰ খন তুলি ললে—কব নোৱাৰিলে। "বেছ—বৰ ধুনীয়া কাপোৰ" বুলি কৈয়ে আখ বিখকৈ কাপোৰ খন গলত মেবাই ললে আৰু সুধিলে, "বেছ বেছ মিঃ কার্লাইল, ইয়াৰ মূল্য কিমান?"

মিঃ কাঃ—"বৰ বেছি নহয় ১৫ পাউণ্ড (প্ৰায় ২০০৲ টকা) মান হব।" "এৱা হবতো; দেনে কাম তেনে দাম।"

টোটোৰা পৰা ওঠ কিটাৰে হাহি এটি মাৰি কৃতজ্ঞতা জনাই সুধিলে, "পাছে তোমাৰ বাহেৰাই—তোমাক ঘৰত ঠাই দিবনে?" "সেইবোৰ কথা এৰি পেলাওক। পিছে আপোনাৰ অসুখ বিসুখ বোৰ এতিয়া কেনে পাইছে?"

মিচেছ হেয়াৰে এটা এঙ্গামুৰি মাৰি কলে, "নাই বোপাই, নাই ভাল পোৱা নাই। কোনোবা দিনা মই আৰু ভাল হমনে? তাতে আকৌ জলা জুইত ঘিউ ছিটনি দি মোৰ বাছা কলে গ'ল! একো সন্ধানেই নাই..." মিচেছ হেয়াৰে চকুলো টুকিলে। মিঃ কার্লাইলৰ অন্তৰত দুখ লাগিল; দুখেৰে কলে, "সেইবোৰ কিয় ভাবি থাকে মিছামিছিকৈ। এৰি পেলাওক সেইবোৰ কথা, যি হবৰ হবই; ভাবিবৰ একো নাই।"

কথা বেয়াৰ ফালে আছা গম পাই আৰু ইপিনে বাতিও ভালেখিনি হ'ল দেখি বুধিয়ক কার্লাইলে মিচেছ হেয়াৰক বিদায় অভিবাদন জনালে আৰু মিঃ কার্লাইলৰ যৌবন ভৰা সৌন্দৰ্য্যত মুগ্ধ হৈ নিমিষ নকবাকৈ চাই থকা বাৰবাৰাক কলে, "তেন্তে এতিয়া আহোঁ বাৰবাৰা" তেওঁ ওলাই গ'ল বাৰবাৰাও পাছে ২ গ'ল।

দুয়ো হাতত ধৰাধৰিকৈ এখোজ দুখোজকৈ পদুলি মুখ পালেগৈ, কার্লাইলে বাৰবাৰাৰ হাত এৰি দি যাবলৈ ওলাল বাৰবাৰাই হাতখনত থাপ মাৰি ধৰি কলে "কার্লাইলদা"

"কি বাৰবাৰা?"

বাৰবাৰাই সোণৰ হাৰ আৰু হীৰাখণ্ডত হাতদি কলে,

"মই ইয়াৰ বাবে তোমাক ধন্যবাদ এষাৰকে দিয়া নাই। অকৃতজ্ঞ ভাবি বেজাৰ নাপাবা দেই।"

"দুৰ পাগলী। এই যে তাৰ প্ৰতিদান পালো" বুলি কৈয়ে কার্লাইলে বাৰবাৰাক বাহুৰ মাজলৈ টানি আনি মুখখন নমাই নি গোলাপী গাল দুখনত দুটি চুমা খালে। যাওঁতে হাঁহি কৈ গ'ল 'কেতিয়াও নকবা যে তোমাক মই একো নিদিও। এতিয়া বিদায়হে ঘৰলৈ যোৱাগৈ।"

বাৰবাৰাৰাৰ গোটেই গা শিঁৰিৰি উঠিল; সকলো কেউডাল শিৰ জিম জিমাই উঠিল; ধমনি বোৰে নাচিব ধৰিলে, বুকুখন ধপছধপছকৈ উঠিল। তেওঁ যেন অন্য এক অমৰাপুৰী পালেগৈ, তেওঁ দশ হৰৰ দিন ধৰি মিঃ কার্লাইলে কোনোবাদিনা তেওঁক চুমা খাইছিল নে নাই মনত নপৰে। আজিৰ এই আগন্তুকে দিয়া আকলুৱা চুমা দুটিয়ে বাৰবাৰাৰ সকলো হৰণ কৰিলে। বাৰবাৰা আমন-জিমনকৈ ঘৰলৈ ফিৰিল আৰু কিবা একৰকম উদাস ভাবেৰ কাকো মাত বোল নিদি শোৱা পাটিত পৰি থাকিলগৈ! তাৰ বাবে মাকৰ কেটেৰা জেঙেৰা মাতো শুনিলে।

শোৱাপাটিত পৰি বাৰবাৰাই এক সপোন পুৰী পালেগৈ; তেওঁ দেখিলে তেওঁ ৱেষ্টমিনিষ্টৰ সৰ্ব্বজন প্ৰিয় বিশেষকৈ গাভৰু-প্ৰিয় মিঃ কার্লাইলৰ পত্নী, নোপোৱাজনৰ হৃদয় বাণী। ৱেষ্টমিনি কিয় চাৰিওফালৰ ওচৰ চুবুৰীত এনে কোনো মাক নাই যে তেওঁক ভাল নাপায়। তেনে পুত্ৰ জন্ম দিয়া সাৰ্থক জনম বুলি ভাবে! এনে কোনো গাভৰু কোছোলী নাই যে তেওঁক হৃদয় ভৰি ভাল নাপায়; তেনে স্বামী বহু লাভ কৰিবলৈ হাবিলাস নকৰে! বাৰবাৰাই পাটিখনত পৰি ছটফটাই থাকি মাজে মাজে হীৰাখণ্ডক চুমা খায় আৰু কয় "মই আজিলৈ সপোনতো ভাবা নাছিলোঁ। আহা! মিঃ কার্লাইল!"

বাৰবাৰা কিছুপৰ নিশ্চাক নিস্পন্দ হৈ বাহিৰত জোনৰ ফালে চাই থাকি নিজে নিজে কৈ উঠিল যদি তেওঁ কলেইতেন কেৱল একাষাৰ মাথোঁ যে, তেওঁ

মোক ভাল পায়। যদি এদিন মাথো মোৰ তাপিত অন্তৰ জুৰ পেলালে হয়! কিন্তু ই এদিন হবই, ই ধ্ৰুব নিশ্চয়; মই জানোঁ ই—নিশ্চয় হব। কেৱল সেই একমাত্ৰ পিশাচিনী বুঢ়ী কৰ্ণি।"

বাৰবাৰাৰ সকলো ভাৱনা বন্ধ হ'ল, মাত বোল নোহোৱা হ'ল, দূৰণিত তেওঁলোকৰ কুঞ্জবনত এটা মনুষ্য মূৰ্ত্তিত দৃষ্টি পৰিল, হাত বাও দি কিবা ইঙ্গিত দিয়া। বাৰবাৰাৰ গা শিয়ঁৰি উঠিল ভয় আৰু খীণ আশা।

বাৰবাৰা শোৱাপাটিৰ পৰা উঠিল—চকু সেই মনুষ্য মূৰ্ত্তিত। মনুষ্য-মূৰ্ত্তি ক্ৰমে ওচৰ চাপিল হি। বহুত বেলি কিবা ভাবি ভয় আৰু আশাত ভাহি ছালকাপোৰ এখন টানি নি গাত ললে আৰু লাহে লাহে বাহিৰলৈ ওলাই গ'ল, মাকক কৈ গ'ল, "আই মই পিতা আহিছে নে নাই এবাৰ বাটৰ পৰা চাই আহোগৈ" মাকে কোনো উত্তৰ নিদিলে; বাৰবাৰা ওলাই গৈ পদূলি মুখত থিয় দিলেগৈ।

—আগলৈ

অসম শক্তি মেলা

অসম শক্তি মেলাৰ প্ৰথম অধিবেশনৰ সভাপতি ৰায় ৰাধাকান্ত সন্দিকৈ বাহাদুৰ ডাঙৰীয়াৰ অভিভাষণ

মোক এই শক্তি উৎসৱৰ সভাপতি মনোনীত কৰা বাবে মই আপোনা সকলৰ ন'থৈ শলাগ লৈছোঁ আৰু মোৰ শৰীৰ তেনেই সুস্থ নথকাতো, আপোনা সকলৰ আদৰৰ আহ্বান সাদৰেৰে গ্ৰহণ কৰিছোঁ।

এই সভাত শাৰীৰিক শক্তিৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰাৰ বা বক্তৃতা দিয়াৰ আৱশ্যক নাই; আৰু সেই বিষয় আলোচনা কৰাটো মোৰ উদ্দেশ্য নহয় শাৰীৰিক শক্তিৰ অনুশীলনলৈ প্ৰেৰণা জন্মোৱাই এই মেলাৰ অভিপ্ৰায় এতেকে আপোনালোকৰ এই কাৰ্য্যত মোৰ আন্তৰিক সহানুভূতি জ্ঞাপন কৰিছোঁ।

এই অনুষ্ঠানক ডাঙৰ আৰু সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ আপোনালোকৰ যিবিলাক অন্তৰায় ঘটিছে তাক মই বুজিব পাৰিছোঁ। এনে জঞ্জালৰ মাজতো আৰু ইমান কম সময়ৰ ভিতৰতো আপোনালোকে যে ইমানকে আয়োজন কৰিব পাৰিছে, তাৰ বাবেই আপোনালোকে প্ৰশংসাৰ পাত্ৰ। এই কাৰ্য্যৰ আয়োজন সৰু হলেও ইয়াৰ উদ্দেশ্য সৎ আৰু মহৎ আৰু ই জাতীয় উন্নতিৰ এক অতি লাগতিয়াল অংশ এই সজ উদ্যমক মই এই ভাবেৰেই বুজিছোঁ আৰু গ্ৰহণ কৰিছোঁ; আৰু এই ভাবেৰেই বুজিবলৈ আৰু গ্ৰহণ কৰিবলৈ সকলোকে অনুৰোধ কৰিছোঁ। ক্ষুদ্ৰ আৰু অতি নগণ্য বীজৰ পৰাই বিয়াগম বৰ গছ হোৱাৰ দৰে জগতত ক্ষুদ্ৰ প্ৰাৰম্ভণৰ পৰাই বিৰাট অনুষ্ঠান হৈ উঠাৰ দৃষ্টান্ত বিৰল নহয়। শক্তি মেলাৰ এই ক্ষুদ্ৰ আয়োজনৰ পৰাও যেন এক বিৰাট আৰু মঙ্গলময় অনুষ্ঠানৰ উদ্ভৱ হওক মই ইয়াকে সৰ্ব্বতোভাৱেই কামনা কৰিছোঁ।

ব্যায়াম চৰ্চ্চাৰ অৰ্থে চৰ্কাৰৰ শিক্ষা বিভাগৰ যত্নৰ বাবে আমি সন্তোষ পাইছোঁ, আৰু তাৰ পৰা দেশৰ কল্যাণ হব বুলিও আশা কৰিছোঁ তাৰ উপৰিও প্ৰজাই এনেদৰে যত্ন কৰিলে, শাৰীৰিক শক্তিৰ অনুশীলনে অচিৰতে দেশৰ গাওঁ ভুঁই আৰু চুকে কোণেও বিয়পি পৰিব বুলি আশা কৰিব পাৰি।

এই মেলাৰ উদ্যোগ কৰ্ত্তা সকলে অভিলাষ কৰিছে যে আপোনালোকে ইয়াক এটি স্থায়ী প্ৰাদেশিক অনুষ্ঠানত পৰিণত কৰিব লাগে, মই আশা কৰিছোঁ পৰহিৰ সভাত আপোনালোকে উপস্থিত সমজুৱা সকলৰ ভিতৰৰ পৰা সকলো ঠাইৰে সভ্য মনোনীত কৰি তাৰ নিমিত্তে এখনি স্থায়ী সভা গঠন কৰিব, আৰু তাৰ স্থায়িত্ব আৰু কৃতিত্বৰ বাবে সকলো সদাশয় লোকে আশাশুধীয়াকৈ যত্ন কৰিব।

মই এতিয়া আৰু সৰহ কথা কৈ আপোনলোকক আৱদ্ধ কৰি নৰখাঁও, মই মাত্ৰ এই কেই আষাৰ



শক্তি মেলাৰ সৰু লৰাৰ খেল ধেমালিৰ তিনিজন কৃতী প্ৰতিযোগী

(সোঁমাজত)—শ্ৰীমান মদন মোহন জৈন, বয়স ১২ বছৰ—১ মাঃ ১৬৩৩ গঃ চাৰে ১৫ মিঃত লৰ দিয়ে।

(সোঁফালে)—শ্ৰীমান ৰতন চাঁদ জৈন—বয়স চাৰে ৮ বছৰ। ২ মাঃ ৬৭২ গঃ ২০ মিনিটত লৰ দি ২য় হয়।

(বাওঁফালে)—শ্ৰীমান প্ৰকাশ চন্দ্ৰ জৈন, বয়স ৯ বছৰ। ১৯ মিঃ ৫৮ চেঃত ২ মাঃ ৬৭২ গঃ লৰি ১ম হয়।

কথাকে আপোনালোকক নিবেদন কৰিলোঁ; আৰু মঙ্গলময় পৰমেশ্বৰক স্মৰণ কৰি, এই মঙ্গল কাৰ্য্যৰ উদ্বোধন কৰিলোঁ, ঈশ্বৰে যেন ইয়াক সৰ্ব্বপ্ৰকাৰে সফল কৰে।



ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ

অসম শক্তি মেলাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ অভিভাষণ

এই কাৰ্য্যৰ কৰ্ম্মীসকলৰ হৈ, আপোনালোক অভ্যাগত সকলোটিকে নমস্কাৰ জনাইছোঁ। আমাৰ কাৰ্য্যৰ বেমেজালি আৰু বিশৃঙ্খলাৰ বাবে, আপোনালোকক যথাযোগ্য আদৰ অভ্যৰ্থনা কৰিব নোৱাৰা বাবে, আৰু সকলো বিষয়তে অশেষ ত্ৰুটী হোৱা বাবে আমি অতি লজ্জিত আৰু দুঃখিত হৈছোঁ। আমাৰ সকলোখিনি অপৰাধৰ হৈ কৰযোৰে সানুনয়ে আপোনালোকৰ ক্ষমা ভিক্ষা কৰিছোঁ। আমাৰ কৰ্ম্মী নিচেই তাকৰ, আৰু এনে কাৰ্য্যত আগৰ একো অভিজ্ঞতাও নাই। যাইকৈ সেই বাবেই কোনো কামকে আশানুৰূপে কৰিব নোৱাৰি আমি নথৈ বেজাৰ পাইছোঁ।

এই ঠাইত ব্যায়াম সঙ্ঘ নামেৰে এখনি সমিতি আছে। তাৰ সভাপতি শ্ৰীযুত গুণগোবিন্দ দত্ত। সেই সমিতিৰ উদ্যোগতে যোৱা ৬ মাৰ্চ্চ তাৰিখে চন্দ্ৰকান্ত স্মৃতি-মন্দিৰত

এখন ৰাজহুৱা সভা বহিছিল। সেই সভায়ো উপস্থিত সমজুৱা সকলৰ অভিমতত এই শক্তি-মেলা পাতিবলৈ স্থিৰ কৰে, আৰু তাকে পাতিবলৈ নগৰৰ ভালেখিনি গণ্য মান্য মুখীয়ালা মানুহেৰে Advisory Committee নামেৰে এখন কমিটি গঠন কৰি দিয়ে। কিন্তু এই বিহুৰ জোৰাত আৰু বিশেষকৈ মহাত্মাৰ আগমন আৰু ছাত্ৰসন্মিলন, এই দুটি ডাঙৰ সকামৰ হেঁচাত মুঠেই দুই এজন উদ্যোগী ডেকাইহে এই কামত গা-লাগি ধৰিবলৈ আজৰি পাইছিল। অনেক কাৰণৰ বাবে ইয়াক হোহোকাৰ পৰাও নহল। গতিকে আমাৰ দুৰ্ভাগ্যৰ গুণে আজি এই ভেকো ভাৱনাত আপোনালোকক সমাদৰ জনাব লগাত পৰিলোঁ।



শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা

আমাৰ আয়োজন অতি নিঃকিন, আমাৰ ত্ৰুটী অসংখ্য আৰু দুঃসাহস অপৰিমিত। কিন্তু আপোনালোকক বিনীতভাৱে জনাইছোঁ এই কাৰ্য্যটো কেনে লাগতিয়াল আৰু ইয়াৰ উদ্দেশ্য কেনে সজ আৰু নিৰ্দ্দোষ, আপোনালোকে যেন তালৈ এবাৰ মন কৰে। শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধনৰ আৱশ্যকতাৰ কথা আপোনালোকক জনাবৰ প্ৰয়োজন নাই। দেশৰ উঠি অহা ডেকাসকল স্বাস্থ্যৱন্ত বলৱন্ত আৰু শক্তিৱন্ত হব লাগে, আৰু প্ৰথমতে সেয়ে নহলে দেশৰ কোনো প্ৰকাৰৰ উন্নতি হব নোৱাৰে, এই কথা কোনেও নুই নকৰে। শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধন এটা অতি লাগতিয়াল সামাজিক কাম। এতেকে ইয়াৰ চৰ্চ্চাৰ আৰু প্ৰচাৰৰ অৰ্থে বছৰে পতি দেশৰ একো ঠাইত একোখন শক্তি-মেলা বা সন্মিলন পতাটো বাঞ্ছনীয় কথা। তাৰে সূত্ৰপাত কৰিবৰ অৰ্থেই আজি আপোনালোকক এই ক্ষুদ্ৰ সকামলৈ আহ্বান কৰা হৈছে। অৱশ্যে শিক্ষা বিভাগৰ tournament বিলাকৰ পৰা এই উদ্দেশ্য অনেক পৰিমাণে আৰু সুপ্ৰতুলৰূপে সিদ্ধি হৈছে। কিন্তু শক্তি-মেলাৰ উদ্দেশ্য তাতোকৈ বহল আৰু ব্যাপক। ছাত্ৰৰ বাহিৰেও গাঁৱে ভূঁয়ে দেশৰ সকলো শ্ৰেণীৰে যুৱক সম্প্ৰদায়ৰ ভিতৰত শাৰিৰীক শক্তিলাভৰ নিমিত্তে প্ৰবৃত্তি জন্মাব লাগে—এই মেলাৰ সেয়ে এক মাত্ৰ উদ্দেশ্য। ইয়াত সাম্প্ৰদায়িকতা নাই, ৰাজনীতি নাই, ধৰ্ম্মভেদ নাই। ই ৰজা-প্ৰজা, হিন্দু-মুসলমান, চৰ্কাৰী অচৰ্কাৰী, বামুণ-অবামুণ, কংগ্ৰেচী-অকংগ্ৰেচী সকলোৰে সহানুভূতি আৰু সহযোগ আকাঙ্খা কৰে।

আমাৰ কাৰ্য্য তালিকা মতে আজি আৰু কাইলৈ কিছুমান খেল হবৰ কথা আছে; সেয়ে কেনে হয়গৈ তাক আমি একো বুজিব পৰা নাই; আমাৰ কোনো কাৰ্য্যৰ ভাল দিহা হোৱা নাই বুলি পূৰ্ব্বেই আপোনা



শক্তি মেলাৰ প্ৰতিযোগিতাত যোগ দিয়া প্ৰতিযোগীসকলৰ আন কেইজনমান

সোফালৰ পৰা—১নং শ্ৰীমান যামিনীকান্ত বৰা। একেৰাহে খোজ কৰা প্ৰতিযোগীতাত ১ম হোৱা। (৩৬ ঘঃ ৩ মিনিট)। ২নং—শ্ৰীমান মনিৰাম দাস। একেৰাহে লৰ দিয়া প্ৰতিযোগিতাত ১ম হোৱা। (১৬ ঘণ্টা ৪৫ মিনিটত)। ৩নং—শ্ৰীযুত টেপুৰাম দাস, একেৰাহে লৰ দিয়াত দ্বিতীয় হোৱা। (১৫ ঘঃ ১০ মিঃ)। ৫ নং—শ্ৰীযুত কেশৱ চন্দ্ৰ দাস, একেৰাহে চাইকেল চলোৱাত ১ম হোৱা। (৫২ ঘঃ ২১ মিঃ)। ৩ নং—শ্ৰীযুত ঘনকান্ত বৰা। একেৰাহে চাইকেল চলোৱাত ২য় হোৱা।

লোকক জনাই থৈছোঁ। আপোনালোকক গোহাৰি কৰিছোঁ সেইবিলাকক যেন অকল লৰা ধেমালি বুলিহে গণ্য কৰিব। এই সভাত ব্যায়ামাদিৰ মোল বুজা আপোনলোক না না ঠাইৰ গুণগ্ৰাহী লোক সকল গোট খাইছেহি। ওপৰত কোৱা মতে শক্তি মেলাৰ একোখন বাৰ্ষিক সন্মিলন পাতিবলৈ আপনোলোকে যত্নপৰ হব বুলি আমি আশা কৰিছোঁ। তাকে কৰিবলৈ হলে এই অনুষ্ঠান স্থায়ী কৰি ইয়াৰ কাৰণে এখন প্ৰাদেশিক সভা স্থাপন কৰাৰ প্ৰয়োজন; আৰু সেই অভিপ্ৰায়েৰেই পৰহিলৈ পুৱা আকৌ এই দৰেই গোট খাবলৈ আপোনা লোক সকলোটিকে সবিনয়ে অনুৰোধ কৰিলোঁ।

সম্প্ৰতি মোৰ কৰ্ত্তব্যৰ ইমানতে সমাপ্তি পৰিছে, এতিয়া আপোনোলোক সকলোটি গোট খাই, মেলাৰ কাৰ্য্য যথা সম্ভৱ সুচাৰুৰূপে সম্পাদন কৰাওক, আৰু তাৰ অন্তত এই অনুষ্ঠানৰ স্থায়ীৰূপে প্ৰতিষ্ঠা কৰক, আপোনালোকৰ ওচৰত এয়ে আমাৰ সৰল মিনতি; খেলাৰ কামত আমাৰ খেলা সমিতিৰ সম্পাদক শ্ৰীযুত সুৰেন্দ্ৰ নাথ ভৰালীয়ে আৰু প্ৰধান কৰ্ম্মী শ্ৰীযুত হৰিনাৰায়ণ বৰুৱাই আপোনা সকলক যথাসাধ্য সহায় কৰিব।

আহাৰ আৰু ভিটামিন

ডাক্তৰ—শ্ৰীযুত দেবেন্দ্ৰ চন্দ্ৰ চাং কাকতী

ভাৰতৰ খাদ্য বিষয়ে গৱেষণা কাৰী বিশেষজ্ঞ সকলৰ মতামত এই যে—(১) ভাৰতৰ মানুহে সাধাৰণতঃ আৱশ্যকীয় সুপথ্য নিয়ামীয়াকৈ খাব নাপায়। (২) নিয়মীয়া বতৰ হলেও প্ৰতি ১০ বছৰতে ৫ খন্ গাঁৱেপতি একোখন গাওঁত খাদ্যৰ নাটনি বা দুৰ্ভিক্ষ হয়। বতৰ বেয়া হলে কথাই নাই। (৩) মানুহৰ আয়ুস যিমান হোৱা উচিত ভাৰতৰ মানুহে, তাৰ আধা আয়ু হে পায়। (৪) মৃত্যু সংখ্যা বেছি, যদি সেই অনুপাতে জন্ম সংখ্যাও কম নহয় (৫) কলেৰা, প্লেগ, বসন্ত, কালাজ্বৰ, আদি বেমাৰে সময়ে সময়ে বহুত মানুহ মাৰে। মেলেৰিয়া বেমাৰ বছৰত ১২ মাহ লাগিয়েই থাকে। (৬) কম বয়সীয়া ছোৱালী সন্তানৰ জননী হব লগীয়া হোৱাত তিৰোতা আৰু শিশুৰ মৃত্যুৰ হাৰ বেছি বুলি সন্দেহ কৰা হয়। কিন্তু খাদ্যৰ অনাটনৰ পৰাই যে বেমাৰে বল কৰে, মানুহক অল্পায়ু কৰে, ই ধুৰুপ।

কেৱল খোৱা বস্তুৰ অভাৱ আৰু অবিচাৰত যে বহুত বেমাৰ হয় এই কথা ফাঁকি যদি সৰ্ব্বসাধাৰণে বুজে তেন্তে তাৰ পৰাও আমাৰ মহৎ উপকাৰ হব। কুকুৰি কণা আৰু পঞা লগা এই দুবিধ বেমাৰ নোহোৱা কোনো এখন গাও নাই ই ধুৰুপ, কিন্তু এই বেমাৰ যে খাদ্য বস্তুৰ অবিচাৰ আৰু অবহেলাতেই হে হয় তাক কেইজনে জানে? পঞালগা বেমাৰৰ লক্ষণ বোৰ তলত দিয়া গল। ইংৰাজীত এনে লক্ষণৰ বেমাৰক 'ৰিক্কেট' বোলে। এই বেমাৰ সৰু লৰা ছোৱালীৰ হয়। সাধাৰণতে জন্মৰ ৬ মাহৰ পৰা ১২ মাহৰ ভিতৰত এই বেমাৰৰ লক্ষণবোৰ ভাল কৰি প্ৰকাশ পায়। আৰু তেতিয়াহে ডাক্তৰ কবিৰাজৰ বিচাৰ লাগে। কিন্তু এই বেমাৰ খাদ্যৰ অবিচাৰত জন্মৰ পৰাই আৰম্ভ হয়। লক্ষণঃ—সোনকালে দাঁত নগজে, থিয় দিব নোৱাৰে, বহিব বা চুচৰিবও নোৱাৰে। মূৰ ঘামি থাকে; পিৰেৰে নাথাকে, চেৰেউ চেৰেউ কান্দি থাকে। হাত ভৰি চিঞা হয় আৰু পেটটো টিল টিলকৈ ওলায় পৰে। নতুবা গোটেই গা উখহি ঢোল যেন হয়।

মূৰৰ তালু ঢপঢপাই থাকে আৰু মূৰটো চাৰিচুকীয় বা টিংৰা হয়। ক্ৰমে হাত ভৰিৰ হাড় বেঁকা হয় বুক বেকা, পিঠিকুঁজা, লেঙ্গুৰা, চেঙ্গুৰা, ইত্যাদি নান ৰকমে বিকলাঙ্গ হয়। অৱশেষত মুখত ঘা লাগে আৰু নানা প্ৰকাৰৰ উপসৰ্গই লগ লৈ জীৱন নাশ কৰে। যদি ভালো হয় তথাপি তাৰ চিন নমৰালৈকে থাকে। গোটেই ভাৰতত এনে পঞা লগা বেমাৰীৰ সংখ্যা ২½ কোটী, বঙ্গদেশত এই বেমাৰ সবাতোকৈ বেছি; গড়ে প্ৰতি মাইলত ২১·৫৬ জন। অসমত গড়ে প্ৰতি

মাইলত ৭'১৪ জন। কুকুবি কণা গোটেই ভাবতত ৩৪ কোটী আক অসমত—প্রতি মাইল ৩৪১ জনকৈ আছে বুলি জনা গৈছে। এই বেমাৰ যুক্ত প্রদেশত সৰাতোকৈ বেছি। ইয়াৰ বাহিবেও বেবিবেবি, স্কাৰ্ভি ছাগনী, কুছমসাৰ বা জাণ্ডিচ, বঁজা বা বন্ধ্যা ইত্যাদি নানা প্রকাৰৰ বেমাৰ খোৱাৰ দোষ আক অবিচাৰতে হয় বুলি প্রমাণ পোৱা গৈছে। ভালকৈ খাবলৈ নাপালে, আহশ্যকীয় বস্তু নাখালে দুৰ্ভিক্ষত পীড়িত হলে মানুহৰ ঈশ্বৰ দত্ত বোগ প্রতিশোধক যি ক্ষমতা থাকে সি কমি যায় গতিকে সেই সেই বেমাৰ তেতিয়া বল কবিব পাবে।

ভাবত মুঠ—জনসংখ্যাৰ ভিতৰত শতকবা ৩৯ জনেহে আহশ্যকীয় সুখাদ্য খাবলৈ পায়, ৪১ জনে দুখে কষ্টে পেট ভবায়, বাকী ২০ জন অনাহাবে, অৰ্দ্ধাহাবে কোনোমতে জীয়াই থাকে; এয়ে বিশেষজ্ঞ সকলৰ অনুমান। ভাবতত জন সংখ্যা কমে বাঢ়িছে যেনেকৈ মৃত্যু সংখ্যাও তেনেকৈ বাঢ়িছে। শিশু আক মাইকী মানুহৰ মৃত্যু সংখ্যাও বেছি। তাৰ কাৰণ এই যে সেই বিলাকে আহশ্যকীয় সুপথ্য পবিমাণ অনুসবি নাপায়। কর্ণেল মেকয় আদি গবেষণাকাৰী সকলে কয় যে, এক বয়সৰ ভাবতীয় আক য়ুবোপীয় ছাত্রৰ ওজন সমানে নাবাঢ়ে। তাৰ কাৰণ এই যে, ভাবতীয় খাদ্যত প্রটিন, ফেট্ আক ভিটামিনৰ অভাব বেছি, গতিকে লবাই সোনকালে গা কবিব নোৱাবে।

খাদ্য দ্রব্যৰ ভিতৰত গাখীবেই প্রথম আক প্রধান। অলপ যত্ন কবিলে ইয়াক সহজে পোৱা যায়। কিন্তু ভাবতৰ কি দুর্ভাগ্য যে, হিন্দু সকলে গো-জাতিক অতি উচ্চ মাতৃৰ আসন দিয়া স্বত্বেও ভাবতৰ মানুহে গাখীৰ খাবলৈ নাপায় ক্রমে হীন-বীর্য্য আক অল্পায়ু হ'ব ধবিছে। ভাবতৰ গাখীৰ ভাবতৰ মানুহৰ ভাগত জন মুৰি ১½ ছটাক মানকৈহে পবে। তাৰ ভিতৰত অসম দেশত উৎপন্ন হোৱা গাখীবেবে অসমীয়াই জন প্রতি ১ ছটাকবো কমহে খাব পায়। গাখীৰ গুণ আক শক্তি অসীম। অকল গাখীৰ খাইহে মানুহ—বিশেষকৈ ল'বা ছোৱালীবিলাক হৃষ্ট পুষ্ট হৈ জীয়াই থাকিব পাবে। সংসাৰত এই গাখীৰৰ বাহিবে তেনে আক একো বস্তু নাই। সেই দেখি বৈজ্ঞানিক সকলে গাখীৰত কি কি বাসায়নিক বস্তু আছে তাক বেলেগ কবি উলিয়াইছে। গাখীৰ যদি আহশ্যক পবিমাণে শিশুৱে খাবলৈ নাপায় তেন্তে সি লেবেলা, চেপেটা আক বেমাবী হয়। অষ্টাদশ শতাব্দীৰ শেষলৈকে বৈজ্ঞানিক সকলে প্রমাণ পালে যে খাদ্য দ্রব্যত যি বিলাক বস্তু আছে সেই বিলাকক বৈজ্ঞানিক প্রণালীত মুঠতে ৫ ভাগত ভগাই ল'ব পবা হয়। যেনে (১) কার্ব্বহাইড্রেট্ (২) ফেট (৩) প্রটিন (৪) চণ্ট্ আক (৫) পানী। কিন্তু ইং ১৮৮১ চনত লোনিনে বেচেলত প্রকাশ কবিলে যে এই ৫ বিধৰ বাহিবেও গাখীৰত এনে বেলেগ পদার্থ থকা সত্তৰ যি বোৱা নহলে মানুহ বাঢ়িব নোৱাবে। তেওঁৰ এই সন্দেহ ১৯০৫ চনত হে পেকেল্ হেবিএ পবীক্ষাৰ দ্বাবা প্রমাণ কবিলে। ১৯০৬ চনৰ পবা ১৯১২ চনৰ ভিতৰত হপকিন্স্ চাহাবে প্রমাণ কবি জগতক দেখুৱালে যে, যদি ইন্দুৰ পোৱালী বিলাকক মাথো উক্ত ৫ বিধ খাদ্যহে যথেষ্ট পবিমাণে দিয়া হয় আক গাখীৰ বা আন টাট্‌কা শাক পাচলি, ফলমূল দিয়া নাযায় তেন্তে সেই ইন্দুৰ পোৱালীবোৰ নাবাঢ়ে। তাৰ পিছত চি, ফ্রাঙ্ক আক ড্রামণ্ড এই দুজনে প্রমাণ পালে যে তেনে খাদ্যৰ পবা অকল যে নাবাঢ়ে এনে নহয়, বেমাবী হৈ কেতিয়াবা কেতিয়াবা প্রাণো হেকৰায়। এই পবীক্ষা আক গবেষণাৰ ফলত তেওঁলোকে গাখীৰত এনে এবিধ বস্তু পালে যে, সি উক্ত ৫ বিধৰ এবিধো নহয়, একেবাবে সুকীয়া বস্তু। তেতিয়া তেওঁলোকে তাৰ নাম ভিটামিন্ দিলে। এই ভিটামিনৰ গবেষণা বর্ত্তমান চলিয়েই আছে। এতিয়ালৈকে ৯ বিধ ভিটামিন্ পোৱা হৈছে। আগলৈ বা আক কিমান ওলায় তাৰ ঠিক নাই। এই ৯ বিধ ভিটামিনৰ ভিতৰত আকৌ ৬ বিধ ভিটামিন্ত ওণাগুণ হে জীৱ-জন্তুৰ ওপৰত পবীক্ষা কবি প্রকাশ কবা হৈছে। বর্ত্তমানলৈকে যি প্রমাণ পোৱা গৈছে তাৰ পবা বুজা গৈছে যে ভিটামিনে, শবীৰ বঢ়াই হৃষ্ট পুষ্ট কবাত সহায় কবে, আক কেতবোৰ বোগৰ পবা মানুহক বক্ষা কবে। যেনে (১) কুকুবি কণা, পঞ্চালগা, বন্ধ্যা বা বঞ্জা, স্নায়ুৰিক

বিকাৰ, বেবিবেবি, গাত চৰম ওলোৱা (বগা চৰম) আৰু স্কাভি আদি কেতবোৰ সংক্রামক বোগৰ পবা, ভিটামিনে মানুহক বক্ষা কবিব পাবে।

তলত খাদ্যদ্রব্যৰ ভাগ বিলাক আৰু তাৰ গুণাগুণ অতি চমুকৈ দিয়া হ'ল যদিও এনে বোৰ বিষয় বুজাবলৈ আৰু বুজিবলৈ চেষ্টা কবা সহজ নহয়, বিশেষকৈ সক প্রবন্ধত।

(১) কার্ব্বহাই ড্রেট—এই বিধ আহাৰ সাধাৰণতঃ নিৰামিষ আহাৰী জীৱৰ প্রধান খাদ্য। যি বোৰ বস্তু সিজালেই, নিমনি, বা লুচুবিব নিচিনা আঠা বস্তু পোৱা যায় সেই বোৰ বস্তুতেই কার্ব্ব হাইড্রেট প্রধান বস্তু। (২) ফেট চর্ব্বি বা তেলক বোলে। (৩) প্রটিন—মাংসৰ গুণ বিশিষ্ট বস্তু। (৪) চণ্ট :—লুণীয়া, কেহা, তিতা ইত্যাদি গুণ সম্পন্ন খাদ্যৰ বস্তুক বুজায়। লোহা, কেলচিয়ম্ বা চুণ, ফস্ফবাস্ ইত্যাদি খাদ্যৰ বস্তু শবীৰ পক্ষে অতি লাগতিয়াল (৫) পানী:—সকলো বস্তুতে পানী থাকে। (৬) ভিটামিন।

গুণাগুণ

খাদ্যদ্রব্য	প্রধান গুণ	কি কি বস্তুত বেছিকৈ পোৱা যায়
(১) কার্ব্ব হাইড্রেট (ক) ষ্টার্চ	পেটৰ ভোক শান্ত কবে শবীৰত উত্তাপ দিয়ে।	চাউল, গেহু, জোৱাৰ, বাজৰা, গোমধান, কচু, আলু, কেচাকল, ইত্যাদি আক গাখীৰ।
(খ) চেনি	কর্ম্মশক্তি বঢ়ায়।	চেনি, গুৰ, কুঁহিয়াৰ, তাবি, মৌ, বিটপালেং, পকাকল, মিঠা ফল মূল, আক গাখীৰ।
(২) ফেট বা চর্ব্বি	বল, বীর্য্য, মেধা স্মৃতিশক্তি বর্দ্ধক	তেল, ঘিউ, মাখন, সৰ, মাছৰ তেল, চর্ব্বি, নাৰিকল, বাদাম, ইত্যাদি।
(৩) চণ্ট (আইবণ বা লোহাৰ)	বক্তশোধক আক শক্তিবর্দ্ধক।	হীবাকছ বা অইন ধাতুজ ঔষধ, মাছ, মাংস, হাড় হিমজু, কণী, পালেং শাক, বঙ্গামবিচা, কলমৌ, ঢেকিয়া, শাক আক গাখীৰ ইত্যাদি।
চণ্ট—কেলচিয়াম বা চুণৰ :—	অস্থি মজ্জা সবল কাবক, বোগ প্রতিশোধক, বক্ত-পবিষ্কাবক।	মাছ মাংস; হাড় হিমজু; কেচাকল; বেঙ্গেনা; বন্ধা কবি; গুটবা, বঙ্গা মবিচা, পুবৈ, হেলচি, ইত্যাদি শাক আক গাখীৰ।
চণ্ট—ফস্ফোবাচ্ :—	স্নায়ু সবল কাবক, মেধা আক স্মৃতিশক্তি বর্দ্ধক।	পটোল, কেবোলালতি, পুবৈ শাক, লফাশাক, কণী, গাখীৰ ইত্যাদি।
(৪) প্রটিন :—	বোগ প্রতিশোধক, শবীৰ বর্দ্ধক, স্নায়ু সবল কাবক।	মাছ, মাংস, কণী, গাখীৰ ইত্যাদি। মণ্ড, মচুৰ, মটৰ, লেচেবা, অবহৰ, মাটি কলা, বুট, ইত্যাদি মাহৰ ডালি। পালেং, হেলচি, কলমৌ, ইত্যাদি শাক। পটল, কোবালালতি, কেচা জলকীয়া, ভেন্দি, আলু, বেঙ্গেনা, ইত্যাদি তবকাবি। পকা বিলাহিবেঙ্গেনা কল, ইত্যাদি পকা ফল নাৰিকল আক গাখীৰ।
(৫) পানী :—	তৃষ্ণা নিবাবক, দূষিত পদার্থ শবীৰৰ পবা বাহিব কবাৰ সহায়ক আক হজম কবা কার্য্যৰ সহায়ক।	

ভিটামিন

বৰ্ত্তমান কালত ভিটামিনৰ বিষয়ে যি গবেষণা হৈছে তলত তাক চমুকৈ দিয়া হল।

শাক পাচলি জাতীয় ঘাঁহ আৰু গছ গছনি, ফল-মূল, ইত্যাদি বস্তুত হে ভিটামিন বেছিকৈ থাকে। জীৱ জন্তুৱে সেই ভিটামিন (১) পোনপেটিয়াকৈ শাক পাচলি, ফলমূল গছ গছনিৰপৰা পায়। (২) আৰু প্ৰকাৰ স্তৰে গাখীৰ মাছ, মাংস ইত্যাদিৰ পৰা পায়। সেউজীয়া ঘাঁহ, পাত, শাক পাচলি, ফল-মূল, ইত্যাদিবোৰ বস্তু ভিটামিনেৰে চহকী। এইবোৰ আহাৰৰ পৰাই মাকে সন্তানৰ বাবে পিয়াহত ভিটামিন পায় আৰু তাকে খাই সন্তান বাঢ়ে। পোৱাতীক তেনেবোৰ ভিটামিন থকা বস্তু খাব নিদিলে মাক বেমাৰী হয় আৰু শেষত ভিটামিনৰ অভাবত সন্তানৰো জীৱনৰ সংশয় হয়। ভিটামিন প্ৰায় সকলো টাট্‌কা বস্তুতে থাকে। অনুপাতত ই অতি কম পৰিমাণে থাকিলেও ইয়াৰ গুণতেই মানুহ ডাঙৰ দীঘল হয়। যি বস্তু যিমানে টাটকা তাত সিমানে ভিটামিন বেছি থাকে। বেছি ভাগ ভিটামিনেই অস্থায়ী আৰু সহজতে নষ্ট হোৱাৰ সম্ভৱ। অতিপাত সিজালে, বেয়াকৈ ৰাখিলে, বেছিদিন সাঁচিলে, ৰন্ধাবস্তু বাহি হলে, গেলিলে, পচিলে ভিটামিন নষ্ট হয়। বিজ্ঞানৰ লগে লগে খাদ্যবস্তু বিলাকো নানা উপায়েৰে সুৰুচিযুক্ত কৰি বতল বা টিনত সাঁচি থৈ বেচা-কিনাৰ দিশা কৰা হৈছে। এইবোৰ বস্তু খাবলৈও সোৱাদ বাবে বহুতে সাচনিয়া আহাৰৰ দ্বাৰাই ৰন্ধা বঢ়া হাঙ্গামা কমাবলৈ চেষ্টা কৰে। টিনত সঁচা মাছ মঙহ কেক, ৰুটি, বিস্কুট, বতলৰ জাম, জেলি, গাখীৰ, ইত্যাদি নানা বিধৰ খাদ্য বস্তু সভ্য জগতৰ বেপাৰী সকলে জাক জমকেৰে দেশ বিদেশত ছটিয়াই ফুৰিছে। কিন্তু তেনে বহুত সাচনীয়া খাদ্যত ভিটামিনৰ অংশ নষ্ট হোৱাৰ পৰাই যে কোনো বেমাৰ হয় তাৰো প্ৰমাণ পোৱা গৈছে। স্কাৰ্ভি নামৰ বেমাৰ তেনে খাদ্যৰ পৰাই হয় বুলি বহুতে প্ৰমাণ কৰিছে। আমাৰ দেশত এই বেমাৰ নাই বুলিলেই হয়, কিয়নো আমি সাচনীয়া বস্তুৰ মোলো নাপাও আৰু সাচিবও নাজানো। বেৰিবেৰি নামৰ (শোথ) এবিধ বেমাৰ ভাত খোৱা মানুহৰ মাজত বৰকৈ হয়। ভাৰত, জাপান, চিন, মালয় দ্বীপত এই বেমাৰ বৰকৈ হয়। চাউলৰ চোকোৰাত এবিধ ভিটামিন থাকে তাৰ অভাব হলেই এই বেমাৰ হয় বুলি প্ৰমাণ পোৱা গৈছে। চাউল অতিপাত নিকা কৰিলে তাৰ ওপৰৰ চোকোৰাটো নোহোৱা হয়, চাউল মলঙ্গিলে তাৰ চোকোৰা নোহোৱা হয়, ধান বেছিদিন পানীৰ তলত থাকিলে বা ভিজাই থলেও চাউলৰ চোকোৰা নষ্ট হয় আৰু তেনে চাউলত ভিটামিন নোহোৱা হয়। গতিকে তেনে চাউলৰ পৰা এই বেমাৰ হোৱাৰ সম্ভাবনা বেছি।

ভিটামিন মুঠতে দুই ভাগত বিভক্ত যেনে :—(১) পানীত গলা ভিটামিন (২) তেলত গলা ভিটামিন। আকৌ এই দুই ভাগৰ পৰাই সৰ্ব্ব মোট ৯ বিধ ভিটামিন পোৱা হৈছে। যেনে :—



এ, বি, চি, ডি, ঈ ইয়াৰ পৰিবৰ্ত্তে ক খ গ ঘ ঙ দিব পৰা গলহেঁতেন কিন্তু বজাৰত ভিটামিন ঔষধৰূপে এ বি আদি নামত হে বিক্ৰি হয় গতিকে সেই নামকে দিয়া হৈছে।

মুঠতে শৰীৰ হৃষ্ট পুষ্ট কৰিবলৈ সকলো বিধ ভিটামিনৰ আৱশ্যক। খাদ্য দ্ৰব্যত ভিটামিনৰ অভাব হলে বজাৰত বেচা ভিটামিনো আনি খাব পৰাকৈ আজি কালি ভিটামিন থকা নানা প্ৰকাৰৰ খাদ্য আৰু ঔষধ বজাৰত পোৱাৰ দিহা কৰি নানা প্ৰকাৰৰ বিজ্ঞাপন আদি দি মানুহৰ মন আকৃষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। কিন্তু বাইজে মনত ৰখা উচিত যে ভিটামিন অস্থায়ী আৰু তাক টাটকা বস্তুত হে পায় গতিকে বিজ্ঞাপনত মুগ্ধ হৈ বিশ্বাস যোগ্য নহলে যেন তেনে ভিটামিন কিনি নাখায়। আমাৰ কোমল চাউল, দৈ আৰু গুৰৰ জলপান; আৰু মাহ চাউল, কল-কুঁহিয়াৰ আদিৰ নৈবেদ্যত ভিটামিনৰ পৰিমাণ খুব বেছি—ইয়াক যেন বুজি লয়।

ভিটামিনৰ গুণাগুণ

ভিটামিন	প্ৰধান গুণ	কি কি বস্তুত বেছিকৈ পায়
ভিটামিন "এ" (তেলত গলা)	সংক্ৰামক ব্যাধি নিবাৰক, চকুৰ বেমাৰ—কুকুৰি কণা নিৰোধক, হৃষ্ট পুষ্ট কাৰক। কেচুৱা কালত এই বিধ ভিটামিনৰ অভাবত লৰা ছোৱালীৰ যি ক্ষতি হয় ডাঙৰ হলে অইন কি যথেষ্ট পৰিমাণে এই ভিটামিন খুৱালেও সেই ক্ষতি পূৰণ নহয়। ই কেচুৱাক হৃষ্ট পুষ্ট কৰে। ইয়াৰ অভাবত সংক্ৰামক ব্যাধি - যেনে কাহৰ বেমাৰ, যক্ষ্মা, বসন্ত, প্ৰসূতী, ইত্যাদি—বোৰে আক্ৰমণ কৰিবলৈ চেলু পায়।	কডলিভাৰ অয়েল; ৰৌ, বাহু, কুঢ়ি, চিতল, আড়ি, মিৰিকা, আদি মাছৰ কলিজাৰ তেল, কলিজা আৰু মাছ, ছাগলি, ভেড়া আদিৰ কলিজা; গাখীৰ, মাখন, গেহু, আটা, বন্ধাকবি, গাজৰ, চালদ, বেঙেনা, অমিতা, পকাকল, বিলাহি বেঙ্গেনা, গুৰ, মৌ, হাঁহ আৰু কুকুৰাৰ কণী ইত্যাদি।
ভিটামিন "ডি"	পঞাঁ লগা নিৰোধক। এই বিধ ভিটামিনে পঞাঁ লগা বেমাৰ হব নিদিয়ে। গৰ্ভাবস্থাত পোৱাতীয়ে আহাৰৰ পৰা এই ভিটামিন স্তন দুগ্ধত সাঁচি থয়, তাৰ পৰাই কেচুৱাই মাকৰ গাখীৰত এই ভিটামিন পায়। মাকৰ আহাৰত এই বিধ ভিটামিনৰ অভাব হলে মাক আৰু সন্তান উভয়েৰে জীৱন সংশয় হয়।	ওপৰত কৈ অহা ৰৌ, মিৰিকা আদি মাছৰ কলিজা, আৰু ছাগলী, ভেড়াৰ কলিজা, কুকুৰা কণী, মাখন, সৰ, গাখীৰ ইত্যাদি।

ভিটামিন	প্রধান গুণ	কি কি বস্তুত বেছিকৈ পায়
"ভিটামিন ঈ"	বন্ধ্যাত্ব নিবোধক। ইয়াৰ অভাবত মতা বজা আৰু মাইকী বান্ধী হয়। মতা মানুহ এবাৰ বজা হলে আৰু ভাল নহয় কিন্তু মাইকীয়ে যথেষ্ট পৰিমাণে ইয়াক পালে পুনঃ গৰ্ভবতী হয়।	গেহু, চাকি আটা, বান্ধাকবি, চালদ, বেডানা, কুকুবা কণী, গাখীৰ, কল, নাবিকল, সুমথীবা টেঙ্গা আৰু মৌ ইত্যাদি।
ভিটামিন "বি ১"	স্নায়ু বিকাৰ বোধক। অগ্নিমান্দ্য আৰু অৰুচি নাশক। ইয়াৰ অভাবত বেবি বেবি (শোথ বা জংসাৰ) বেমাৰ হয়।	চাউলৰ চোকোৱা, গেহু, আটা ফল মগুনাহৰ ডালি, কমকৈ কাবা চাউল, বন্ধাকবি, গাজৰ, চালদ, পকা কল, কাচকল, বেডানা, বিলাহি বেঙ্গেনা, কুকুবা কণী, গাখীৰ, বার্লি, আটাৰ কটি, বাদাম, পিয়াজ, আলু, ভেণ্ডি, কেৰেলা, পালেংশাক, কঠাল, পুৰৈশাক, কলমৌশাক, বঙ্গা আলু ইত্যাদি।
ভিটামিন "বি ২"	শবীৰ বৰ্দ্ধক, চৰ্ম্মবোগ নিবাবক। এইবিধ ভিটামিন নহলে অন্য ভিটামিনে শবীৰ পুষ্টপুষ্ট কবিব নোৱাবে। চালত চবম পবা বেমাৰ ইয়াৰ অভাবত হয়।	
ভিটামিন "বি ৩, ৪, ৫" বা "বি" কমপ্লেক্স	ইয়াৰ গুণাগুণ এতিয়াও প্রকাশ হোৱা নাই।	
ভিটামিন "চি"	স্কাভি বেমাৰ বোধক। ইয়াৰ অভাবত শবীৰৰ ওজন কমে, হাত ভৰিৰ গাথি বিষ হয়, দাঁতৰ আলু উখহে আৰু তাৰ পৰা তেজ পবে।	বন্ধা কবি, ফুল কবি, বিলাহি বেঙ্গেনা, নেমু আৰু সুমথীবা টেঙ্গা, ৰবাব টেঙ্গা, লাউ, কোমোৱা, বেঙ্গেনা, উবহি, পিয়াজ, আলু, মূলা, কল, অমিতা, নবাবগৰী বা পিচ ফল, খেজুৰ, আঙুৰ, বেডানা, ইত্যাদি।

বিহগী

—শ্রীযুতা নলিনী বালা দেবী

দুৰণি বটীয়া বিহগী
কোন দেশলৈ উবিনো যাবি
তবাৰ মাজেবে মেঘৰ মাজেৰে
জুমি জুমি আৰু কিমান চাবি !

সাগৰ তলিৰ মাণিক মুকুতা
তোৰ জানো বাৰু চকুত পৰে
জল থল ভেদি শুইনত ঘুবি
অৱশ ডেউকা ভাগবি পবে !

নীল আকাশত কপালী মেঘৰ
সোণালী বেলিয়ে কিবিটি পিন্ধে
তাঁৰ ফাঁকে ফাঁকে সপোন মায়ায়
মোহন পুৰীৰ কলচি বান্ধে।

হিম শিখৰৰ শিতলি পৰনে
নকপাই তোৰ জুকলা হিয়া
পৰেহি কাণত অলকাৰ মেঘে
"যক্ষৰ" বিননি উৰাই নিয়া।

নীল সাগৰত সজল বাৰত
মৃদুল তৰঙ্গ হেন্দোলি উঠে
তোৰ বুকুখনি কপি উঠে কিয়
চকুত মুকুতা জিলিকে উঠে

দূৰ গগনত কপালি জোনৰ
মধুৰ হাঁহিটি উঠিলে ফুটি
তোৰ শেতা ওঠ কপি কপি বাৰু
ফুটেনে মুখত হাঁহিৰ জেউতি।

বন কুসুমৰ আকুল সুবভে
আমোলাই তোলে বননি বুকু
সুখ আবেশত বুকু কপি উঠে
তিতে কিয় তোৰ জুকলা চকু ?

তোৰ বুকু খনি কৰুণ সুবত
উটাই বুৰাই পেলালি যদি
কেনেকৈ তই যাবি অ বিহগী
সাগৰ সিপাৰে বিঘিনি ভেদি।

বন বিহগীৰ নিজুম গীতত
প্রকৃতিত বাজে মোহন বীণ
চাবিচোন জুমি বুকুৰ মাজত
উলাহ সুবৰ পাৰনে চিন॥

চতুৰ্দ্দশ "অসম সাহিত্য সম্মিলন" আৰু "অভিনন্দন"

—শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি-এচ্-চি, বি-এ

চতুৰ্দ্দশ "অসম সাহিত্য সম্মিলন" আহিল আৰু গল। সময়ৰ বুকুত সি কি সাঁচ থৈ গল বা নগল, এতিয়া তাকেহে মন কৰিব লাগে। এই সম্মিলনৰ বিশেষত্বৰ অন্যতম হৈছে দুই দিনাই বাৰ ঘণ্টাকৈ জুৰি চলা যাই সম্মিলনৰ কাৰ্য্যক্ৰমণি। পোনৰ দিনা, গধূলি আঠ বজাৰ পৰা ন বজালৈ মাথোন এঘণ্টা আহৰিবে, দিনৰ ২॥ বজাৰ পৰা নিশাৰ ২॥ বজালৈ, বিষয়-বাছনি সমিতিক সামৰি সম্মিলনৰ কাম; পিছৰ দিনাও সেইদৰে মাথোন আধাঘণ্টা জিৰণি লৈ দিনৰ ১॥ মান বজাৰ-পৰা ৰাতিৰ ১॥ বজালৈ সম্মিলনৰ মালশ্ৰম! ইয়াৰ উৎপন্নৰ ঘৰত কি ৰল নৰল, তাক কবলৈ যাই সাক্ষী এপাচি মান প্ৰস্তাব, আৰু কিবাকিবি !!

যাইকৈ পোনৰ দিনা বহা বিষয়। বাছনি সমিতিৰ আৰম্ভৰ মুহূৰ্ত্তৰ পৰা পিছৰ দিনাৰ সম্মিলনৰ শেষ উশাহ-লৈকে এনে কেইটিমান অপ্ৰীতিকৰ কাম হৈ উঠিছিল, যিবোৰ প্ৰত্যেকেই যিমান সোনকালে পৰা হয় মনৰ-পৰা মচি পেলাবলৈ যত্ন কৰা উচিত। কিন্তু তাৰ ভিতৰত সাহিত্যৰ বুৰঞ্জীৰ ফালৰ-পৰা এটি বেমেজালি পাহৰিব পৰা টান, সেয়ে হৈছে "অভিনন্দন" বিষয়ক হেৰোৱা প্ৰস্তাৱ এটি! সেই প্ৰস্তাৱটিৰে নিজৰ এটি বুৰঞ্জী আছে।

পোনতে দ্বাদশ সাহিত্য সম্মিলনত বেজবৰুৱা দেৱক "অভিনন্দন" দিবৰ প্ৰস্তাৱ কৰোঁতে মনত আশা হৈছিল অসম সাহিত্য সভাৰ ই স্বৰূপ অভিনন্দৰ আয়োজন বুলি। কিন্তু প্ৰকৃতৰূপে সেইজনক অভিনন্দন দিয়া হোৱাৰ আগ মুহূৰ্ত্ততে, যেতিয়া "অভিনন্দনৰ" দ্বিতীয় কিস্তি "চুৰু" কৰিবৰ প্ৰস্তাৱ অসম সাহিত্য সম্মিলনত গৃহীত হল, তেতিয়া সহজে নানান জনৰ মনত খেলাইছিল যে এই "অভিনন্দন" প্ৰকৃততে এই নামত চলা আন এটি বস্তুহে যিটি সাহিত্যিক পৰিশ্ৰমৰ পাৰিতোষিক স্বৰূপে আন লোকলৈও মুকলি থাকিব। কিন্তু সিদিনাৰ সম্মিলন—তহে তিনিবাৰ বা নিবাৰৰ কাৰণে সেই ভুলৰ নিবাৰণ হল যে স্বৰূপতে এই আয়োজন ওপৰৰ এবিধতো নপৰে; সি কেৱল "কোনোক দেখি ৰান্ধে-বাঢ়ে, কোনোক দেখি দুৱাৰ মাৰে"—এই নীতি বা দুৰ্নীতিৰ ওপৰত থিয় কৰা কিবা এটা।

প্ৰস্তাৱটি আছিল—অসমীয়া সাহিত্যৰ দুজন আশা-শুধীয়া প্ৰবীণ সাহিত্যিকক আজীৱন সাহিত্যসেৱাৰ বাবে দেখুওৱা সম্মানৰ নিচিনাকৈ তেখেত সকলৰ সমকক্ষ আন দুজন প্ৰবীণ সাহিত্যিক ঔপন্যাসিক-সম্ৰাট শ্ৰীযুত ৰজনী কান্ত বৰদলৈ ডাঙৰীয়া আৰু "খণ্ডবাক্যকোষ" আদি বহু বিষয়ক সদ্‌গ্ৰন্থ প্ৰণেতা শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াক অসম সাহিত্য সভাই যথাবিহিত অভিনন্দন দিবলৈ দিহা কৰক।

প্ৰস্তাৱটি ডাঙি ধৰিছিল সভাপতিৰ আসনৰ পৰা শ্ৰদ্ধেয় শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই। কিন্তু বৰুৱা ডাঙৰীয়াৰ প্ৰতি ব্যক্তিগত শ্ৰদ্ধাৰ কথাকে নকওঁ, আসাম সাহিত্য সম্মিলনৰ নিচিনা এটি মহৎ অনুষ্ঠানৰ সভাপতিৰ প্ৰতি অৱশ্যে দেখুৱাব লগা সৌজন্য ফেৰিবো কাৰ্পণ্য কৰিবলৈ দুজন প্ৰতিনিধি দ্বিধাবোধ নকৰি গৰজি উঠিল—এজনে বিষয়-বাছনি সমিতিৰ দোহাইদি, আনজনে আসাম সাহিত্য সম্মিলনৰ অভিনন্দন দিয়া বন্ধ হব লাগে বুলি! ইয়াতোকৈ পুতৌ লগা কথা আৰু কি হব পাৰে !!

অসম সাহিত্য সম্মিলনৰ "লেফাফা"—প্ৰিয় কোনো কোনো প্ৰতিনিধিয়ে এতিয়া হেনো কব খোজে বোলে সেইটি প্ৰস্তাৱ সভাপতিয়ে ডাঙি ধৰাই নাছিল, তেখেতে

আনৰ প্ৰস্তাৱটি সভাত পঢ়ি দিছিল মাথোন! কিন্তু এই লেফাফাটিত মাথোন দুই এটি উভঁহা ৰৈ যায়। পোনতে, যদি উক্ত প্ৰস্তাৱটি 'সভাপতিয়ে মাথোন পঢ়ি দিয়া' কাৰণেই সি ভৰিৰে মোহাৰিবৰ পাত্ৰ হল, সেই দৰেই তাৰ আগতে মাথোন "সভাপতিয়ে পঢ়ি দিয়া" আৰু বিষয় বাছনি সমিতিত গৃহীত হৈ নহা, ৺লক্ষ্মীধৰ শৰ্ম্মা দেৱৰ সম্পৰ্কীয় প্ৰস্তাৱটি, ৰীতিমতে (?) কোনেও প্ৰস্তাৱ সমৰ্থন নকৰাকৈ কেনেকৈ গৃহীত হৈছিল? তদুপৰি, সভাৰ আগত নথকা, কেৱল সভাপতিয়ে বা আন এজনে "পঢ়ি দিয়া" কথা এটাৰ বিষয়ে, মূৰ নোহোৱাকৈ মূৰ কামোৰণি হোৱাৰা দৰে, কেনেকৈ ইমানখিনি বাকবিতণ্ডা হব পাৰিছিল?

এই সভাপতিৰ প্ৰতি সৌজন্যৰ শোচনীয় কাৰ্পণ্যৰ কথা এৰিও, প্ৰতিবাদী সকলৰ প্ৰতিবাদৰ সাৰমৰ্ম্ম ফুটুকাৰ ফেনসোপা আৰু যুক্তিৰ বিপৰ্য্যয়ৰ বাহিৰে একো দেখা নাযায়। নিয়মতে "কানিমুনি বাই, মোৰ গাত দোষ নাই" বুলি আকোৰ-গজালিকৈ ধৰি "নিককপীয়া" নামধাৰী হবলৈ যোৱা কেজনে নিয়মৰ ঠেং নামে লাখুটি ডালতো ধৰিব পৰা দেখা নগল। অসম সাহিত্য সভাৰ খ্ৰীঃ ১৯৩২ লৈকে সংশোধিত তেনেই "তাজা" নিয়মাৱলীয়েই দেখোন (৯ পিঠিৰ ৪নং নিয়ম) কয় —

"বিষয়—বাছনী সমিতিত গৃহীত নোহোৱা কোনো প্ৰস্তাৱেই সম্মিলনত উত্থাপিত হব নোৱাৰিব। কিন্তু বিষয়ৰ গুৰুত্ব বুজি সভাপতিয়ে এই নিয়মৰ ব্যতিক্ৰম বিধান কৰিব পাৰিব।"

এই নিয়মটো ইমান ফটফটীয়াকৈ নিয়মাৱলীত লিখা নথকা হলেও, তাকেই বুজিব লাগিলহেঁতেন হবলা! কিন্তু ইমানতো, সভাপতিয়ে নিজৰ আন অধিকাৰ ব্যৱহাৰ নকৰাকৈ কেৱল স্পষ্টকৈ লিখা থকা তেওঁৰ নিয়মিত এটি অধিকাৰ কামত লগাওঁতেই, তেওঁৰ দায়িত্বক, সন্দেহেই নহয়, যেন ইচ্ছা তেনেকৈ প্ৰকাশ্য সভাত অযথা প্ৰতিবাদ কৰি, এই প্ৰতিনিধি কেজনে তেওঁলোকৰ অসম সাহিত্য সম্মিলনৰ সভাপতিক, তেওঁলোকৰ নিজে-সজা আইন-কানুনক, কি সন্মান কৰিলে, অন্ততঃ এজন অসমীয়া স্বৰূপে সুধিব পাৰোঁ নে? এনে অবাঞ্ছনীয় অভাৱনীয় দুৰ্ব্যৱহাৰৰ হৈ অসম সাহিত্য সভাৰ দায়িত্বপূৰ্ণ যাই বিষয়া সকলে মাননীয় সভাপতিক কিবা ক্ষমা-প্ৰাৰ্থনা কৰিলে নে?

এতিয়া চোৱা হওক, সেই প্ৰতিনিধি কেজনে কি বিষয়-বাছনি সমিতিত দি এই প্ৰস্তাৱটিৰ সুমীমাংসা কৰি আহিব বুলি ভাবিছিল। আগতে উনুকিয়াই অহা মতেই বিষয়-বাছনি সমিতি বহিছিল পেটত ভোক আৰু চকুত টোপনিৰে গধূলিৰ পৰা প্ৰায় শেহ নিশালৈ। তাত আনবোৰ বিষয়ৰ কি সুমীমাংসা হৈছিল গৃহীত এপাচি প্ৰস্তাৱেই দেখুৱাব। তাতোকৈ দেখুৱাব আন এটি বিশেষ কাৰ্য্যই। নিয়ম-পৰিবৰ্ত্তনৰ কাৰণে নিৰ্দ্দিষ্ট সময়ত অহা প্ৰস্তাৱ বোৰ ঠিক কৰিবলৈ বিষয়-বাছনি সমিতিয়ে এটি বিশেষ সমিতি পাতি দিয়ে। পিছদিনা পুৱা, বুৰঞ্জী-শাখাৰ সম্মিলনৰ উপস্থিতিৰ পৰা বঞ্চিত হৈও, এই সমিতিয়ে প্ৰায় দুঘণ্টা সময় আলোচনা কৰি সেই নিয়মবোৰ গঢ় লগাই নি যথাসময়ত সম্মিলনত উপস্থিত কৰে। কিন্তু সকলো কথাৰ উপস্থিত বুদ্ধিৰ, বিষয় বাছনি সমিতিত সকলো কথাৰ আগভাগ লোৱা এজনেই উঠি টপৰাই মাত লগালে বোলে নিয়ম-সমিতিৰ কাৰ্য্য নিয়মমতে হোৱা নাই, কিয়নো সভাৰ নিয়মাৱলী অনুসাৰে "পৰিবৰ্ত্তন কৰিব লগীয়া নিয়ম বোৰ বিষয় বাছনি সমিতিত আলোচনা কৰা হব। আৱশ্যক বুজি নিয়ম-পৰিবৰ্ত্তনৰ কাৰণে অন্ততঃ সাতজন সভ্যেৰে বিশেষ সমিতি এখন বহিব।" কিন্তু, তেওঁৰ মতে উক্ত নিয়ম বোৰ বিষয়-বাছনি সমিতিত আলোচিত হোৱা নাছিল, আৰু "অন্ততঃ সাতজন" নহৈ পাঁচজন সভ্যেৰেহে এই বাৰৰ নিয়ম-সমিতি গঠিত হৈছিল !!

এইবাৰ মাততেই সকলোটি কাঁহ পৰি জীণ গল, আৰু লৰাৰ ধেমালিৰ দৰে "নাৱে বোলে টুলুংভুটুং বঠাই বোলে টুলুংভুটুং, গধূলিতে ডবা কোবায়" হৈ সকলোৰে আধ্যা পৰিল! ফলত এই সকলোটি "নাকচ" !! এনে বিষয় বাছনি সমিতিত কোনো প্ৰস্তাৱ নকৈ দিবলৈ সময়েই বা ওলাল হেতেন ক'ত? দিবলৈ সময় ওলোৱা হলেও, তাত তাৰ "সুমীমাংসা" হোৱা হলেও, এই প্ৰস্তাৱৰ দশা, টোপনিৰ

আৰু কিহবাৰ জালত আৰু পেটৰ কলমনিত পতা নিয়ম-সমিতিৰ দশাই নহলহেঁতেন বুলিনো বাৰু বুকুত হাত দি কোনে কব পাৰিব ?

সেই কেজনৰ ওপৰঞ্চি যুক্তি—প্ৰস্তাবটো মীমাংসা কৰিবৰ কাৰণে তেওঁলোকক ভাবিবলৈ যথেষ্ট সময় দিয়া হোৱা নাই, প্ৰস্তাবিত লোক দুজন উপস্থিত থকাত আলোচনাৰ অসুবিধা ইত্যাদি "নবঞ্চিবৰ কন্যাৰ ওঠৰটা মত !" এতিয়া এই উক্তি আৰু যুক্তি বোৰত সাৰপদাৰ্থ কিবা আছে নে নাই, চোৱা হওক। মৰণৰ কালত হৰিনাম লবলৈ বাটচোৱাৰ দৰে, বৰদলৈ ডাঙৰীয়া আৰু ৰাজখোৱা ডাঙৰীয়াক অভিনন্দন দিব লগা—নলগা কথাটো ভাবিবলৈ সেই মুহূৰ্ত্তলৈহে তেওঁলোক বাটচাই থাকিব লাগিছিল কিয় ? সমকক্ষ সমসাময়িক এই চাৰিজন সাহিত্যিকৰ এজন এজনকৈ দুজনক তুলি আনোতেও লগৰ দুজনলৈ তেওঁলোকৰ চকু নপৰিবৰ কাৰণ ? চকুত পৰিব নজনাই তেওঁলোকৰ জগৰ নে কি ? জয়জয়তে "জোনাকীৰ" জোনাক বিলোৱা তিনি গৰাকীৰ, বেজবৰুৱা দেৱতকৈও আগৰ, অন্যতম "মিৰি জীয়ৰৰী"ৰ নিপুণ শিল্পী, সেই কালৰ পৰা আজিলৈকে "মনোমতী" "ৰঙ্গিলী", "ৰহদৈ লিগিৰী" আদিৰে অসমীয়া উপন্যাসৰ শকত ভেটি বান্ধোতা অপ্ৰতিদ্বন্দী ঔপন্যাসিক সম্ৰাট বৰদললৈ ডাঙৰীয়াৰ কথা "ভাবিবলৈ যথেষ্ট সময়" লাগে ? অসম সাহিত্য-সভাৰ প্ৰতিনিধি বোলাই ওঠ-কোবোৱা এজনৰ কাৰণে ইয়াতকৈ আৰু লাজ বেজাৰৰ কথা কি হব পাৰে ? সেই সন্মিলনৰে অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ আৰু সন্মিলনৰ সভাপতিৰ অভিভাষণত অতি সুৱলাকৈ উল্লেখ কৰা "খণ্ডবাক্য-কোষ" আদি ভালেখিনি লাগতিয়াল বিষয়ৰ অসমীয়া ইংৰাজী গ্ৰন্থ লেখোঁতো "বিজুলী"ৰ অন্যতম সম্পাদক ৰাজখোৱা ডাঙৰীয়াও যদি সেই দৰে ইমান দিনে তেওঁলোকৰ চকুত পৰা নাছিল, তেন্তে তাত কৃত্ৰিম উপায় অৱলম্বন কৰা নিশ্চয় অসম্ভৱ, অন্ততঃ অভদ্ৰ, হলহেতেন হবলা !

যদি ইয়াৰ উত্তৰত তেওঁলোকে গুটীয়াকৈ সৈ লয় বোলে "মই আছিলোঁ চাৰি বৈ, মোক আনিলে বামুনটো কৈ" তেতিয়া আমি নিশ্চয় তেওঁলোকক নুদুষি "অসম সাহিত্য সভাৰ" অদৃষ্টক দুষিম—বাটৰ বাটৰুৱাও অসম সাহিত্য সন্মিলনৰ প্ৰতিনিধি !'

বিষয়-বাছনি সমিতিত নপৰাকৈ সন্মিলনৰ আগত পোনে পোনে প্ৰস্তাবটো ওলোৱা কথাত কাৰবাৰ দুৰভি-সন্ধি থাকিব পাৰে, এনে ঠেক ভাব মনত ঠাই দিব পৰাটোও অসম সাহিত্য সন্মিলনৰ সভ্যৰ অনুপযোগী মানসিকতাৰ চিন বুলি কবই লাগিব। বিশিষ্ট স্বৰূপে অকল এজনে পোৱাটো নিশ্চয় সুকীয়া কথা, কিন্তু সমকক্ষ চাৰিজনৰ দুজনে পাব, বাকী দুজন সভাৰ ভুল বা অবি-বেচনাৰ কাৰণে সেই সন্মানৰ পৰা বঞ্চিত হৈ থাকিব নোৱাৰে ই নিশ্চয় ন্যায় বিচাৰৰ দাবী ; ঈৰ্ষা পৰবশ কথা হব নোৱাৰে। আৰু, সেই বিষয়ৰ উত্থাপন হব পাৰে বুলি সমাজিক দেখিয়ে যে সেই বিশিষ্ট সাহিত্যিক দুজন সন্মিলনত আৰু বিষয়-বাছনি সমিতিত বৰ্জ্জিত হব লাগিছিল, তাৰো অৰ্থ থিয়-চকুৱা নহলে বুজা টান। সেই সকলৰ উপস্থিতিতো, জনাই, যথেষ্ট সম্ভ্ৰমেৰে মতভেদ দেখাব নোৱাৰিবৰ কাৰণ নাপাওঁ। "তেখেত সকলক অভিনন্দনৰ অযোগ্য বুলি আমি কোৱা নাই" বুলি আন এজনে সভাপতিৰ বাৰণ নামানিও নিজৰ ভদ্ৰতাৰ শৰটোক কটাৰ ওপৰতে নকৈ ৰেপিলে মাথোন !

আন এজনে হঠাৎ উতলি উঠি ঘোষণা কৰি দিলে—'আমি দুজনক অভিনন্দন দিলোঁ আৰু অভিনন্দন দিয়া বন্ধ !' এনে "খাৰাং খাছ" মত অসম সাহিত্য সন্মিলনৰ সুযোগ্য সভ্যৰ এজনৰ মুখত কেনে শোভা পায়, আটায়ে বিচাৰ কৰিব। "আৰু অভিনন্দন দিয়া বন্ধ !" কিয়বা ! অভিনন্দন-পত্ৰিকাৰ সতীত্ব তুলি ধৰিবৰ বাবে নে ? কিন্তু দুজনত যদি সেই আপুৰুগীয়া গুণ ছুৱা নহল, চাৰিজন-তনো সি ছুৱা হব কিয় ? যি দুজন বাছনিত উঠিল আৰু যি দুজন বাছ পৰিল, কি অভ্ৰান্ত বিচাৰ বা কি দৈববাণীৰ ফলত ? নাইবা ৰাজনীতিৰ দৰে সাহিত্য সেৱাতো দলগঠনৰ আৱশ্যক ? অসম সাহিত্য সভাৰ অভিনন্দনৰ ভৰাল নিজা সুৱদী ইচ্ছামতে মুকলি কৰা

আৰু জপোৱাৰ বাব আৰু সঁচাৰ কাঠি এই কেজনৰ হাততে নে কি ?

মুঠতে, এই সমবয়স্ক আৰু আদিৰে পৰা সাহিত্য ক্ষেত্ৰত সহকৰ্ম্মী এই চাৰি গৰাকী প্ৰবীণ সাহিত্যিকৰ তুলনা মূলক সমালোচনা কৰি কাকো ডাঙৰ কাকো বা সৰু পাতিবৰ ধৃষ্টতা মই মনত পোহা নাই। বৰ্ত্তমান অসমীয়া সাহিত্যত এই চাৰি গৰাকী চাৰিটি স্তম্ভ ; চাৰিওৰে সুকীয়া স্থান বা বৈশিষ্ট্য আছে ; কাৰো ঠাই কাৰো তলত নহয়, প্ৰকৃততে এখেত সকলৰ "চাৰিওকে চাৰিয়ে চৰে।" কিন্তু ইয়াৰ ভিতৰতো যদি কোনোবাই "ঘিউত কাঁইট" বাছিবলৈ কয়, তেওঁক কম, বেজবৰুৱা ডাঙৰীয়াৰ লগতে বৰদলৈ ডাঙৰীয়াৰ আসন এখন আচু-তীয়াকৈ নাৰাখি অসম সাহিত্য সভাই বিচাৰ বিচক্ষণ-তাৰ চিনাকি দিয়া নাই। পাঠ্যপুথি ৰচনা এটি সুনিশ্চিত আৰু ভাল লাভজনক ব্যৱসায় মাথোন কিন্তু ইও এপাকে সাহিত্যক সহায় কৰে ; সেইদৰে অসমীয়া সাহিত্য বিষয়ক ইংৰাজী ভাষাত লিখা পুথিবোৰ অসমীয়া সাহিত্য নহলেও, তেনে পুথিবোৰ অসমীয়া সাহিত্যৰ বিশেষ সহায়ক, সন্দেহ নাই। কিন্তু এইবোৰ এৰিও গোহাঁই বৰুৱা ডাঙৰীয়াৰ "শ্ৰীকৃষ্ণ," "লীলা" আদি, আৰু ৰাজখোৱা ডাঙ-ৰীয়াৰ "খণ্ডবাক্যকোষ" "লখিমী-তিৰোতা" আদি গ্ৰন্থবোৰ অসমীয়া সাহিত্যলৈ বিশিষ্ট দান। ইয়াৰ বাহিৰে এজনৰ "নাটমন্দিৰ" আৰু ব্যৱস্থাপক, আন নালাগে ভাষা উন্নতি-সাধিনী সভাত কৰা কাম আৰু আন জনৰ অসমীয়া সঙ্গীতৰ প্ৰথম প্ৰচাৰৰ চেষ্টা আৰু অসমীয়া প্ৰথম যাত্ৰা-পাৰ্টি গঠন আদি কথাৰ অসমীয়া সাহিত্যৰ লগত কোনো পোনপকীয়া সম্বন্ধ নাই। বাতৰিকাকত প্ৰচলন আদিও প্ৰকৃত সাহিত্যৰ পৰা অলপ-সুকীয়া বাটৰ কথা। আলোচনী চলোৱা কাৰ্য্যৰ মূল্যও, সাহিত্যৰ ওপৰত তাৰ সাঁচ কেনেভাৱে বহিছে, তাৰ ওপৰত হে নিৰ্ভৰ কৰে।

কোনো কোনো সাহিত্যৰ হাটকৰাই এই ভুল ধাৰণাও প্ৰচাৰ কৰিবৰ চেষ্টা কৰা দেখা যায় যে, অভিনন্দন পোৱা দুজন সাহিত্যিক অসমীয়া দুটা School of thought অৰ গৰাকী ; বাকী দুজনৰ তেনে School নাই, গতিকে তেখেত দুজনৰ সম্বৰ্দ্ধনাৰ কথা নোলায়। এই সকলে হয়তো "জোনাকী"—"বিজুলী" বা "বাঁহী" "উষা" সমানে সমানে চলা এই কাকত কেখনৰ নামৰ পৰাই তেনে ভাব মনত পোহে, আৰু সেই কাকত কেখনকে "তথাকথিত" School দুটাৰ মুখপাত বুলি কয়। অলপ গমি-পিতিকি চালেই তেওঁলোকৰ ভ্ৰান্তি ধৰা পৰিব। ইংৰাজী "School" কথাই এই অৰ্থত সুকীয়া উৎকৰ্ষ বা ভাবৰাজ্যৰ বিষয়হে সূচায় ; কিন্তু "জোনাকী" আৰু "বিজুলী"ৰ তেনে সুকীয়া দুখন ভাবৰাজ্য নাছিল ; সি এখন ভাবৰাজ্য মাথোন আছিল "উষা"—"বাঁহী"তো তেনে স্বাভাৱিক দুটা সুকীয়া উৎকৰ্ষ নাছিল, গতিকে দুটা School ৰ কথা তাত নাছিল ; আছিল বৰ্ণ-বিন্যাস আদি কিছুমান সামান্য কথা লৈ অস্থায়ী দুটা দল কিন্তু সিও কেতিয়াবাই একত মিলি গল। গতিকে তেনে দল সৃষ্টি নকৰা বাবেই বা সৰহ দিন "জোনাকী"—"বিজুলী" নথকা কাৰণেই, বাকী দুজনৰ অসমীয়া সাহিত্যৰ ভাবৰাজ্যত কোনো প্ৰভাৱ নাই বুলি কব নোৱাৰি।

সেই দেখি আকৌ কওঁ, বৰ্ত্তমান অসমীয়া সাহিত্যৰ চাৰিটি গৌৰৱ-স্তম্ভ স্বৰূপ এই চাৰি জনৰ বাকী দুজনক অসম সাহিত্য সভাই সম্বৰ্দ্ধনা নকৰাত কিবা ষড়যন্ত্ৰ থাকিব পাৰে, সম্বৰ্দ্ধনা দিবৰ চেষ্টা কোনো ষড়যন্ত্ৰৰ কথা হবই নোৱাৰে। অসম সাহিত্য সভাই যোৱা দুবছৰ বছৰেকীয়া বঁটা-বিতৰণিৰ দৰে দিয়া "অভিনন্দন"ৰ প্ৰত্যাশী হৈ, তাৰ কাৰণে কেতিয়াও কাম কৰা নাই বুলি ৰাজখোৱা ডাঙৰীয়া আৰু বৰদলৈ ডাঙৰীয়াই প্ৰকাশ্যে সভাত যি দৰে থিয় হৈ কলে, সেই কথাত বঢ়া-টুটা, অতিৰঞ্জন একো নাই। কিন্তু এই অভিনৱ "অভিনন্দন"ৰ হেপাহ নাম মাত্ৰও নাই বুলি জানিও, ন্যায়ৰ হকে, সুবিচাৰৰ হকে, সুৰুচিৰ হকে, এই চাৰিও জনৰ ভিতৰত আটাহতকৈ বয়োজ্যেষ্ঠ বৰদলৈ ডাঙৰীয়াক অন্ততঃ তেখেতৰ বৰ্ত্তমান শাৰীৰিক অৱস্থালৈ চাই সময়মতে এতিয়াই এটি সম্বৰ্দ্ধনা দেখুওৱা অসম সাহিত্য সভাৰ পক্ষে অতি সমীচীন বুলি মই আগতে কেবাবাৰো কৈ আহিছোঁ আৰু এতিয়াও দঢ়াই

৫২৭৪/আ:
১১.৬.৯৯

আবাহন



বাবু রাজেন্দ্র প্রসাদ

ভূমেন আৰ্ট ইণ্ডিয়া প্ৰেছ, কলিকতা

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

মহিলা জগত



৫২৭৩/আ:

১০ নবেম্বৰত বহা বম্বেৰ মহিলা সম্মিলনৰ প্ৰতিনিধি কেগৰাকীমান



এটি অতি আচৰিত পৰীক্ষা পাছ কৰা ছগৰাকী গাভৰু ছোৱালী—জেনাৰেল পোষ্ট আফচ ডিপাৰ্টমেণ্টে দেই বিভাগৰ ছোৱালীবোৰৰ বাবে এটি অতি আচৰিত পৰীক্ষা উলিয়াই ছিল। তাৰ বিষয় আছিল, মনোমোহা হাঁহি, ধুনীয়া আবেশ ভৰা চাৰনি, নই-আপোনাক-কিবা-সহায়-কৰিব-পাৰোঁনে গতি-ভঙ্গী, হেপাহ, আৰু সজাগভাব (alertness)। সকলো ছোৱালীৰ ভিতৰত এই ছ জনীয়ে ১০০০অৰ ভিতৰত আটাইতকৈ বেছি নম্বৰ পাই উত্তীৰ্ণ হৈছিল।



মিচেছ আই, এম, বল্টন—লণ্ডন কাউণ্টি কাউন্সিলৰ ছজন প্ৰতিনিধিৰ এগৰাকী। তাৰ উপৰিও 'হোম কাউণ্টি জইণ্ট ইলেকট্রিচিটি অথৰিটি' ;—এই পদত এৰেই প্ৰথম মহিলা।

১৪, জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাস প্ৰেছত ডাঃ শ্ৰীদান নাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

আলোচনী



৬ষ্ঠ বছৰ, ২য় সংখ্যা]　　আলোচনী　　[১৮৫৬ শক

ভাৰতীয় সাহিত্যৰ বিস্তৃতি আৰু গুৰুত্ব

—শ্রীযুত সোণাৰাম চৌধুৰী

[আধুনিক দেশৰ প্রেম য়ুনিভাৰছিটীৰ Indiology আৰু Ethnology বিষয়ৰ প্রফেছাৰ শ্রীযুত ৱইনটাৰনিজ (Winternitz PH. D.) মহোদয়ে আধুনিক ভাষাত ১৯০৭ খ্রীষ্টীয় শকত এখন ভাৰতীয় সাহিত্য বুৰঞ্জী লিখে। সেই গ্রন্থৰ ইংৰাজী অনুবাদ কলিকতা য়ুনিভাৰছিটিয়ে ১৯২৩ ইংৰাজী চনত প্রকাশ কৰিছে। সেই গ্রন্থৰ উপক্রমণিকাৰ আদি ভাগত গ্রন্থকাৰে যিখিনি কথা লিখিছে, তাৰে এটি অনুবাদ 'আলোচনী'ৰ পাঠক পাঠিকা সকলক উপহাৰ দিলোঁ।]

ভাৰতীয় (১) সাহিত্যৰ বুৰঞ্জী হৈছে,—অতি কমেও ৩০০০ বছৰৰ মানসিক প্রতিভাৰ ইতিহাস ;— এই কথা ভাষা আৰু ৰচনাদিত প্রকাশিত। যি মানসিক প্রতিশক্তি প্রায় কোনো বাধা-বিঘিনি নোহোৱাকৈ ক্রমাগত হাজাৰ হাজাৰ বছৰ চলি আহিছে, সেই মানসিক প্রতিভাৰ গৃহ —হিন্দুকুছ পর্ব্বতৰ পৰা কুমাৰিকা অন্তৰীপ পর্য্যন্ত ১৫ লক্ষ বর্গমাইল কালিত বিস্তৃত ;— এই দেশ ৮° ডিগ্রীৰ পৰা উত্তৰে ৩৫° ডিগ্রী অক্ষৰেখালৈকে বিস্তৃত অর্থাৎ বিষুৱৰেখাৰ অতি উষ্ণ ৰাজ্যবোৰৰ পৰা নাতিশীতোষ্ণ মণ্ডলৰ ভালেখিনি ভিতৰলৈকে উজুৰা, পূর্ব্বে প্রাচীন যুগত এই সাহিত্যে আন জাতিৰ মানসিক জীৱনৰ ওপৰত যি প্রভাৱ বিস্তাৰ কৰিছিল সেই প্রভাৱ ভাৰতৰ সীমাৰ বাহিৰে পূর্ব্ব উপদ্বীপ, তিব্বত আৰু সুদূৰ চীন, জাপান, আৰু কোৰিয়া ওলাইছিলগৈ। দক্ষিণে সিংহল আৰু মালয় উপদ্বীপ আৰু অতি দূৰ দ্বীপবিলাকতো প্রভাৱ বিস্তাৰ কৰিছিল ;—পশ্চিমে

(১) ভাৰতীয় সাহিত্যোৰে সংস্কৃত সাহিত্যক বুজাইছে।

ভাৰতীয় মানসিক জীৱনৰ পদাঙ্কৰ নিদৰ্শন দুবস্থিত মধ্য এচিয়াৰ পৰা পূৰ্ব্ব তুৰ্কীস্থানলৈ চিহ্নিত কৰিব পাৰি। সেইবোৰ ঠাইৰ মকভূমিৰ বালিতে ভাৰতীয় হাতেলিখা পুথি পোতখাই থকা পোৱা গৈছে।

বিষয় সম্পৰ্কে কবলৈ গলে—'সাহিত্য' শব্দে অতি বিস্তাৰিতভাবে যিমানবিলাক বিষয় অন্তর্নিবিষ্ট কৰিব পাৰে, ভাৰতীয় সাহিত্যে সেইবোৰৰ প্ৰত্যেকটিকে অন্তর্ভুক্ত কৰিছে যেনে—ধৰ্ম্ম্য, সামাজিক কথা কাব্য, গীতি কাব্য, নাটকীয় আৰু নীতিগর্ভ কবিতা, বৰ্ণনা মূলক আৰু বৈজ্ঞানিক গল্প।

ধৰ্ম্ম্য সাহিত্যই ইয়াৰ সমুখ ভূমিত দণ্ডায়মান। ইয়াত ব্ৰাহ্মণেই বেদত আৰু বৌদ্ধই ত্ৰিপিটকত কৃতিত্ব দেখাইছিল এনে নহয় ভাৰতৰ আন অসংখ্য যিবিলাক ধৰ্ম্ম সম্প্ৰদায় উঠিছিল, সেইবিলাকবো অনেকে বহু সংখ্যক সাহিত্য বিষয়ক গ্ৰন্থ ৰচিব পাৰে; সেইবোৰ ছৈছে স্তোত্ৰ, যজ্ঞীয় গান, মন্ত্ৰ, পৌৰাণিক কথা আৰু উপাখ্যান, ধৰ্ম্মোপদেশ, ব্ৰহ্মবিদ্যা বিষয়ক গ্ৰন্থ, তৰ্ক শাস্ত্ৰ ক্ৰিয়া আৰু ধৰ্ম্ম সম্বন্ধীয় অনুষ্ঠানৰ হাতত নিব পৰা শিক্ষাবিধি (manuals) এই সাহিত্যৰ ভিতৰত সৰ্ব্বাধীনকণে অমূল্য উপাদান আছে;—ইয়াক কোনো ধৰ্ম্ম অনুসন্ধান কাৰীয়ে উপেক্ষা কৰি এবিব নোৱাৰে।

ধৰ্ম্ম্য সাহিত্য ক্ষেত্ৰত যি প্ৰতিপত্তি হাজাৰ হাজাৰ বছৰ সৰকি পিছুৱাই যায় আৰু বৰ্ত্তমান কালতো যি ক্ৰমাগত চলিয়েই আছে, সেই প্ৰতিপত্তিত বাজে, ভাৰতৰ ভিতৰত অতি প্ৰাচীন যুগৰ পৰা, আন কিছুমান বীৰগতি চলি আছিছে,—সেইবোৰেই অনেক শতাব্দীৰ গতিত ঘনীভূত হৈ দুখন মহৎ জাতীয় (২) মহাকাব্যত পৰিণত হৈছে। সেই দুখনেই—মহাভাৰত আৰু ৰামায়ণ। মধ্যযুগত ভাৰতীয় কবিসকলে শতাব্দী পৰম্পৰাক্ৰমে এই দুখন মহাকাব্যৰ পৰা আখ্যান লৈ যিবোৰ কবিতা ৰচিছিল, সেইবোৰ জনসাধাৰণৰ বোধগম্য। এই দুখন মহাকাব্যৰপৰা বিভিন্ন গুণযুক্ত হৈ উঠিছিল; সেইবোৰ অলঙ্কাৰ যুক্ত কাব্য আখ্যা পাইছে। কিন্তু এইবোৰ কবিতাত (কাব্যত) অতি বঞ্জিত কুশলিতা থকাত আৰু সাহিত্যৰ সীমা বহুদূৰ পাৰ হৈ যোৱাত, সেইবোৰ কোনো প্ৰকাৰে পাশ্চাত্য কচিৰ উপযোগী নহয়;—নহলেও ভাৰতীয় কবি সকলে পুৰুষানুক্ৰমে গীতিকাব্য আৰু নাটকীয় গ্ৰন্থ আদি যিবোৰ আমাক দান কৰিছে, সেইবোৰৰ ভাব প্ৰগাঢ়তা আৰু মাধুৰ্য্যৰ (লালিত্যৰ) নিমিত্তে, আৰু আংশিকভাবে নাটকীয় উদ্ভাবনা শক্তিৰ নিমিত্তে এইবোৰক আধুনিক যুৰোপৰ অতি সুন্দৰ গ্ৰন্থৰ লগত তুলনা কৰিব পাৰি। সাহিত্যৰ আন এটা বিভাগত নীতিবচনত (ভৌতিক কবিতাত) ভাৰতীয়ই ইমান কৃতিত্ব দেখাইছে যাক আন কোনো জাতিয়ে লাভ কৰিব পৰা নাই। তদুপৰি ভাৰত পৰী উপাখ্যান আৰু উপকথাৰ জন্মভূমি। এই ভাৰতীয় পৰী-উপাখ্যান আৰু উপকথাৰ বৰ্ণনামূলক গল্প সংগ্ৰহ বোৰে বিশ্ব সাহিত্যৰ বুৰঞ্জীত সামান্য ব্যাপাৰ সাধন কৰা নাই। বাস্তবিক পৰী উপাখ্যান অনুসন্ধান—পৰী উপাখ্যানৰ হৃদয়গ্ৰাহী শিক্ষা—পৰী উপখ্যানৰ উদ্দেশ্য আৰু জাতিৰ পৰা জাতিলৈ ইয়াৰ বিস্তৃতি কথা [ভাৰতীয় প্ৰসিদ্ধ গল্পৰ পুথি 'পঞ্চতন্ত্ৰ' লৈ লিখা বেনফিৰ (Benfey's) মৌলিক গ্ৰন্থৰ জৰীয়তে] বিদ্যাৰ এটা স্বাধীন শাখাত পৰিণত হৈ উঠিছে।

কিন্তু ভাৰতীয় মানসিক বৃত্তিৰ এটা বিশেষ লক্ষণ এই যে, তাৰ নিৰ্ভাজ শিল্পকলা আৰু বৈজ্ঞানিক ভাবৰ গ্ৰন্থৰ ভিতৰত কোনো পাৰ্থক্য বথা দেখা নাযায়। ভাৰতৰ মনোহৰ আলঙ্কাৰিক আৰু নীতিগর্ভ সাহিত্যৰ ভিতৰতো বাস্তবিক কোনো পাৰ্থক্য সম্ভৱ নহয়। আমাৰ ওচৰত পৰী উপাখ্যান আৰু গল্প সংগ্ৰহ বুলি বিবেচিত হোৱা গ্ৰন্থ ভাৰতীয়ৰ মনত বাজনীতি আৰু নীতিশিক্ষাৰ হাতনি পুথি (manual) বুলি গণ্য হয়। আন পক্ষে ভাৰতৰ ইতিহাস আৰু জীৱনী কবি সকলৰ দ্বাৰা কাব্য কবিতাৰ এটা শাখাত বাজে আন কিবা বুলি ব্যৱহৃত হোৱা নাই। ভাৰতত কবিতা আৰু গদ্যৰ গঢ়ৰ ভিতৰত দবাচলা, কোনো এটা ভেদ নাই। যেই-সেই বিষয়কে পদ্য আৰু গদ্যত সুন্দৰৰূপে সমানে ব্যৱহাৰ কৰা হয়। উপন্যাস

(২) ইয়াত ভাৰতীয় অর্থে হিন্দুক বুজাইছে।

বিলাক (Novels) অলঙ্কাৰ যুক্ত কাব্যতকৈ নিচেই অলগছে বিভিন্ন,—তাত মাথোঁ ছন্দ-পদ্ধতিৰ অভাব। অতি প্ৰাচীন যুগৰে পৰা পদ্য আৰু গদ্য মিশ্ৰিত কৰাৰ নিমিত্তে এটা অনুৰাগ লক্ষ্য কৰা যায়। কাৰণ, যাক আমি বৈজ্ঞানিক সাহিত্য আখ্যা দিওঁ, তাৰ নিমিত্তে ভাৰতত গদ্য-পদ্ধতি কেৱল কম অংশেহে প্ৰয়োগ কৰা হয়,—কিন্তু পদ্য হলে অধিক পৰিমাণে ব্যৱহৃত হয়। এই নিয়মে ৰচিত—দৰ্শন, ব্যাকৰণ শাস্ত্ৰ (laws), বৈদ্যগ্ৰন্থ, জ্যোতিশাস্ত্ৰ, স্থপতিবিদ্যা ইত্যাদি। এনে কি, ভাৰতীয়ৰ দ্বাৰা ব্যাকৰণ আৰু অভিধানো ছন্দপদ্ধতিত লিখা হৈছে। বোধহয়, ২২ সৰ্গ (৩) থকা প্ৰাচীন মহাকাব্যতকৈ আন কোনো অধিক লক্ষণ যুক্ত গ্ৰন্থ নাই;—সিও ব্যাকৰণৰ বিশেষ কপে ব্যাখ্যাত উদাহৰণ, উদ্দেশ্য আৰু নিয়ম আদি অনুসৰণ কৰে। অতি পূৰ্ব্বকালতে ভাৰতত দৰ্শন সাহিত্যিক প্ৰতিভাৰ প্ৰধান বিষয় আছিল। প্ৰথমতে ই ধৰ্ম্ম্য-সাহিত্যৰ পৰা আঁতৰি নিজে স্বাধীন ভাব ধাৰণ কৰিছিল। তদুপৰি, পূৰ্ব্বে অতি প্ৰাচীন কালত ব্যৱহাৰ শাস্ত্ৰ (laws) আৰু সামাজিক আচাৰ-পদ্ধতি বিষয়ক গ্ৰন্থ প্ৰথমতে ধৰ্ম্ম-সম্বন্ধত আছিল,—পিছত এটা বিশেষ ব্যৱহাৰবিধিৰ সাহিত্যত (special laws literature) পৰিণত হয়। ইয়াকো আংশিকৰূপে ছন্দত আৰু আংশিকৰূপে গদ্যত লিখা হৈছে। এই সাহিত্যৰ প্ৰয়োজনীয়তা আজি-কালি ব্যৱহাৰ বিধি আৰু সামাজিক বিজ্ঞানৰ তুলনামূলক শিক্ষাৰ নিমিত্তে বিখ্যাত আইনজ্ঞ (Jurists) আৰু সামাজিক বিজ্ঞানবিদ্ সকলে (sociologists) উপলব্ধি কৰে।

খৃষ্ট জন্মৰ অনেক শতাব্দীৰ পূৰ্ব্বৰে পৰা ভাৰতত ব্যাকৰণ অধীত হৈছিল;—ই এক বিজ্ঞান;এই বিজ্ঞানেৰে প্ৰাচীন যুগত ভাৰত বাসীয়ে সকলো জাতিকে অতিক্ৰম কৰিছিল। শব্দ কোষেও (Lexicography) বহু বয়স পাইছে।

ভাৰতত পৰবৰ্ত্তী যুগৰ বাজকবি সকলে কোনো কথা ইংবাজ বুলি প্ৰকাশ কৰা নাছিল। তেওঁলোকে ব্যাকৰণৰ নিয়মবোৰ শিকা কবিছিল; অভিধানত

(৩) গ্ৰন্থকাৰৰ নৈষধ চৰিতৰ সৰ্গ বুজাব পাৰা।

অসাধাৰণ ছন্দোময় ভাব অন্বেষণ কৰিছিল। ছন্দোময় অলঙ্কাৰ যুক্ত বৈজ্ঞানিক গ্ৰন্থত যেনে ভাবে শিক্ষাৰ নিয়ম বান্ধা আছে, সেই অনুসৰি কবিতা কবিছিল। অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় মনৰ এটা বিশেষ অনুৰাগ এই আছিল যে,—সকলো সম্ভাবনীয় বিষয়তে বহুত বিশ্লেষণ দিয়া আৰু পাণ্ডিত্যপূৰ্ণ বৈজ্ঞানিক বিবৃতি খটোৱা। সেই কাৰণে, ভাৰতত কেৱল প্ৰচুৰেই নহয়;—আংশিক ভাবেও কিছুমান প্ৰাচীন যেনে,—বাজনীতি, অৰ্থনীতি, বৈদ্যশাস্ত্ৰ, জ্যোতিষ, জ্যোতিষশাস্ত্ৰ, পাটীগণিত জ্যামিতি আদি—তদুপৰি সঙ্গীত, গান, নৃত্য, নাট্যকলা, ভোজবিদ্যা, ভবিষ্য কথা আদি,—এনে কি—প্ৰেমঘটিত কথাবোৰো বৈজ্ঞানিক নিয়মে সজোৱা আৰু শিক্ষাবিধিত নিবন্ধ কৰা আমি দেখিবলৈ পাওঁ।

ওপৰত লেখ দিয়া সাহিত্যৰ শাখাবোৰৰ প্ৰতি ভাগতে শতাব্দীৰ পাছত শতাব্দীত যিমানবিলাক গ্ৰন্থ পুঞ্জীভূত হৈছে, তাক সম্পূৰ্ণৰূপে পৰিমাণ কৰা অসম্ভৱ; প্ৰধানতঃ তাৰ কাৰণ এই,—ধৰ্ম্ম সাহিত্যৰ প্ৰায় সকলো বিভাগতে,—সেই দবে কাব্য বিজ্ঞান বিষয়তো ভাষ্যকাৰ সকলে সাগৰ উজুমেৰে গ্ৰন্থৰ সংখ্যা অতিবেকেকৈ বঢ়াই তুলিছে। এইৰূপে, দৰ্শন, ব্যাকৰণ, ব্যৱহাৰ শাস্ত্ৰৰ অতি আৰম্ভণীয় আৰু বিস্তীর্ণ গ্ৰন্থৰ ভিতৰত কিছুমান,—প্ৰাচীন গ্ৰন্থৰ কেৱল ভাষ্য মাথোন। আকৌ অনেক সময়ত এই বোৰ ভাষ্যৰ ওপৰতে পুনৰ ভাষ্য লিখা হৈছে। বাস্তবিকে কবলৈ গলে,—ভাৰতত এইটো নোহোৱা কথা নহয় যে, কোনো কোনো গ্ৰন্থকাৰে নিজ গ্ৰন্থতে ভাষ্য যোগ কৰাই লৈছে। সেই কাৰণে ভাৰতীয় সাহিত্যৰ মূঠ সংখ্যা প্ৰায় অসম্ভৱ বুলি কলেও একো আচবিত হবৰ কথা নহয়। ভাৰতীয় আৰু যুৰোপীয় লাইব্ৰেৰীবোৰত ভাৰতীয় হাতে লিখা পুথিৰ তালিকাত হাজাৰ হাজাৰ পুথিৰ নাম আৰু গ্ৰন্থকাৰৰ নাম থাকিলেও, অসংখ্য ভাৰতীয় সাহিত্যৰ গ্ৰন্থ হেৰাই লোপ পাইছে,—অনেক প্ৰাচীন গ্ৰন্থৰ লেখকৰ নাম পৰবৰ্ত্তী লেখক সকলৰ উদ্ধৃত বচনৰ (Quotations) পৰাহে জানিব পাৰি,—অথবা সেইবোৰ পুথি সম্পূৰ্ণৰূপে নোহোৱা হৈছে।

ভাৰতীয় সাহিত্যৰ উজ্জ্বল যুগ, বিস্তৃত ভৌগোলিক বিভাগ বিস্তৃতিৰ পৰিমাণ, ঐশ্বৰ্য্য, সৌন্দৰ্য্যৰ মূল্য, তাতোকৈ মূল্যবান্ কৃষ্টিৰ বুৰঞ্জী—সকলো কথাই—এই মহৎ মৌলিক প্ৰাচীন সাহিত্যলৈ সম্পূৰ্ণৰূপে আমাৰ ঘণ্টেষ্ট আগ্ৰহ জন্মোৱাৰ প্ৰমাণ দিব পাৰে। কিন্তু ইয়াৰ উপৰিও আৰু এটা আন কাৰণ আছে,—যি, ঠিক পূৰ্ণমাত্ৰায় ভাৰতীয় সাহিত্যলৈ এটা বিশেষ উদ্দীপনা জন্মায়। ভাৰতীয় আৰ্য্য (Indo Aryan) ভাষাবোৰে ইৱানীয়বে সৈতে একত্ৰ হৈ ভাষাৰ মহৎ পৰিয়ালৰ এটা অতি দূৰত থকা প্ৰাচ্য শাখা কৰি তুলিছে। সেই মহৎ পৰিয়ালৰ লগত আমাৰ ভাষা অন্যান্য অধিকাংশ য়ুৰোপীয় ভাষাৰ সম্বন্ধ আছে ;—তাকে ইণ্ড য়ুৰোপীয়ান বা ভাৰতীয় য়ুৰোপীয় ভাষা বোলে। আচলতে ভাৰতৰ সাহিত্যৰ অনুসন্ধানৰ গুণত, ভাষা সমূহৰ সাদৃশ্য আবিষ্কৃত হৈছিল আৰু সেই আবিষ্কিয়াই এটা যুগান্তৰৰ অন্তৰাৰণা কৰিছিল বুলিব লাগে। কিয়নো, এই কাৰ্য্যে জাতিবিলাকৰ ভিতৰত প্ৰাগ্ ঐতিহাসিক যুগত যি সম্বন্ধ আছিল, সেই সম্বন্ধৰ ওপৰত এটা আচবিত ৰকমৰ নতুন পোহৰ পেলাই ছিল। কিয়নো এই ভাষা সাদৃশ্যৰ পৰা কোনো কোনোৱে সিদ্ধান্ত কৰিবলৈ বাধ্য হৈছিল যে পূৰ্ব্বত ভাষা বিলাকৰ ঐক্য আছিল আৰু এইটোও অনুমিত হৈছিল যে ইণ্ড-য়ুৰোপীয় ভাষা-ভাষী লোকবিলাকৰ ভিতৰত এটা ঘনিষ্ঠ বন্ধন বা সম্বন্ধ আছিল। এই সম্বন্ধৰ বিষয়ে ব্যাপক ভাবে ভালেমান ভুল ধাৰণা আজিও চলি আছে। মানুহে ইণ্ড-য়ুৰোপীয়-'জাতি' এটাৰ কথা কয়। কিন্তু তেনে জাতি সমূলে নাই,—আৰু কেতিয়াও হোৱাও নাই। আকৌ শুনিছে যে এসময়ত ভাৰতীয়, পাৰশীক, গ্ৰীক, ৰোমান, জাৰ্ম্মাণ, আৰু শ্লাবৰোৰ একে বক্তৰ পৰা হোৱা আৰু তেওঁলোক আদিম বংশ ইণ্ড-য়ুৰোপীয়ৰ পৰা নামি অহা সতি-সন্ততি। এইবোৰ অতি আবিমৃশ্য সিদ্ধান্ত। কিন্তু যিবিলাক জাতিয়ে ইণ্ড-য়ুৰোপীয় ভাষা কয় সিহঁতে একে ঔদ্বৈহতীয়া মূলৰ পৰা উৎপত্তি হয় নে নহয় এইবোৰ যদিও সন্দেহৰ উপৰি সন্দেহজনক কথা তথাপি এইটো কেতিয়াও সন্দেহ কৰিব নলগীয়া যে এটা ঔদ্বৈহতীয়া ভাষা—অৰ্থাৎ সকলো মানসিক প্ৰতিভাৰ এই অতি আৱশ্যকীয় যতনটি—মনৰ এটা সম্বন্ধ আৰু উদ্বৈহতীয়া কৃষ্টিৰে সূচনা কৰে। যদিও ভাৰতবাসীৰ মাংস আমাৰ মাংস নহয়, অথবা তেওঁলোকৰ হাড় আমাৰ হাড় নহয়, তথাপি আমি আমাৰ মনৰ মন ভাৰতীয় ভাব বাজ্যত আবিষ্কাৰ কৰিব পাৰোঁ। যি হওক, "ইণ্ড'-য়ুৰোপীয় মনৰ (ভাবৰ)" জ্ঞান লভিবলৈ অৰ্থাৎ সেইবোৰ মানুহৰ ভাব, চিন্তা, কবিতা—যাক ইণ্ড'-য়ুৰোপীয়ৰ বিশেষৰ বুলি কোৱা যায়, তাক পাবলৈ—এইটো নিতান্ত আৱশ্যক যে—য়ুৰোপীয় সাহিত্য শিক্ষা কৰি আমি যি ইণ্ড'-য়ুৰোপীয় চৰিত্ৰৰ এটা একদেশদৰ্শী (পক্ষপাতী) জ্ঞান উপাৰ্জ্জন কৰিছোঁ, সেই জ্ঞান পুৱাবলৈ দুখীত পুৰণ ইণ্ড'-য়ুৰোপীয় মন (ভাব) যেনেদৰে পৰিস্ফুট হৈছে, তেনেদৰে (শিক্ষাকৰি) তাৰ লগত পৰিচিত হব লাগিব। এই কাৰণৰ বাবেই ভাৰতীয় সাহিত্য প্ৰকৃষ্টৰূপ প্ৰাচীন গ্ৰীছ বোমৰ ক্ৰাছিক সাহিত্যৰ এটা আৱশ্যকীয় পৰিপূৰক বুলি গণ্য হৈছে। বিশেষকৈ যি সকল ইণ্ড'-য়ুৰোপীয় চৰিত্ৰৰ একেদেশ দৰ্শী ভাবৰ বিৰুদ্ধে সতৰ্ক হৈ (অৰ্থাৎ পক্ষপাত শূন্য হৈ) চলে, তেওঁলোকৰ পক্ষে ইয়াৰ আৱশ্যক। ভাৰতীয় সাহিত্য অলঙ্কাৰাদি ওপৰ সম্বন্ধ লৈ গ্ৰীক্ সাহিত্যৰ লগত তুলনা কৰিব নোৱাৰি ই কথা সঁচ। আকৌ গ্ৰীক্ আৰু ৰোমান কৃষ্টিয়ে বৰ্ত্তমান য়ুৰোপীয় ভাৰ ধাৰাৰ (ideas) ওপৰত যেনে আধিপত্য বিস্তাৰ কৰিছিল ভাৰতীয় ভাৰৰাজ্যে কোনো প্ৰকাৰে তেনে প্ৰভাব বিস্তাৰ কৰিব পৰা নাই এইটোও সত্য। কিন্তু যদি আমি আমাৰ কৃষ্টিৰ আৱন্তনি বুজি শিকিবলৈ ইচ্ছা কৰোঁ,—যদি আমি অতি প্ৰাচীন ইণ্ড'-য়ুৰোপীয় কৃষ্টি বুজিবলৈ খোজোঁ, তেনে হলে আমি ভাৰতলৈ যাব লাগিব—য'ত ইণ্ড'-য়ুৰোপীয় মানুহৰ প্ৰাচীনতম সাহিত্য ৰক্ষিত হৈছে। কাৰণ ভাৰতীয় সাহিত্যৰ প্ৰাচীনত্বৰ সমস্যা লৈ আমি যি মতকে অৱতাৰণা কৰোঁ আমি নিঃসংশয়ে কব পাৰোঁ যে ভাৰতবাসীৰ সাহিত্যৰ প্ৰাচীনতম কীৰ্ত্তিস্তম্ভই সেই একে সময়তে আমি পোৱা ইণ্ড'-য়ুৰোপীয় সাহিত্যৰো প্ৰাচীনতম কীৰ্ত্তিস্তম্ভ।

অধিকন্তু, ভাৰতীয় সাহিত্যই যি আশু আধিপত্য আমাৰ নিজৰ সাহিত্যত বিস্তাৰ কৰিছে তাক সামান্য বুলি গণ্য কৰিব নোৱাৰি। আমি দেখিম যে, য়ুৰোপীয় বৰ্ণনামূলক সাহিত্য ভাৰতীয় গল্প সাহিত্যৰ ওপৰত নিচেই কম পৰিমাণে নির্ভৰশীল নহয়। এই প্ৰাধান্য বিশেষকৈ জাৰ্ম্মান সাহিত্য আৰু জাৰ্ম্মান দৰ্শনৰ ওপৰত পৰিছে; ১৯শ শতাব্দীৰ আৰম্ভৰে পৰা ভাৰতীয় ভাব (ideas) দ্বাৰা সেই সাহিত্য আৰু দৰ্শন অত্যন্তৰূপে প্ৰভাবান্বিত হৈছে আৰু এইটো সম্পূৰ্ণ সম্ভবপৰ যে, এই প্ৰভাব এতিয়া ক্ৰমাৎ বাঢ়িব লাগিছে, আৰু বৰ্ত্তমান শতাব্দীৰ গতিৰ লগে লগে ই আৰু কিছু বৃদ্ধি পাইহে যাব।

ইণ্ড-য়ুৰোপীয় ভাষাবিলাকৰ ঐক্যত আমাৰ ওচৰত প্ৰকাশিত যি মনৰ সাদৃশ্য লক্ষিত হয় তেনে সাদৃশ্য কোনো ঠাইত নাই। জাৰ্ম্মান আৰু ভাৰতীয় মনৰ (ভাবৰ) মিলনৰ বিচিত্ৰ উদাহৰণ অনেকবাৰ দেখুৱা হৈছে। (২) ভিওপোলড্ ভন শ্ৰুডাৰ-কয়, "ভাৰতীয়বিলাক প্ৰাচীন যুগৰ বোমাণ্টিছিষ্ট্ (ভাষা প্ৰাচীনৰ পৰা আধুনিকলৈ পৰিবৰ্ত্তনকাৰী) জাতি, জাৰ্ম্মানবিলাক আধুনিক যুগৰ বোমাণ্টিছিষ্ট্ ।" জি ব্ৰাণ্ডেছ আগেয়ে উল্লেখ কৰি ৰাখিছে "গভীৰ চিন্তা আৰু সূক্ষ্ম কল্পনাৰ প্ৰবৃত্তি আৰু অদ্বৈত মতলৈ অনুৰাগ,—জাৰ্ম্মান আৰু ভাৰতীয় দুটো জাতিতে আছে।" তাৰ উপৰি, জাৰ্ম্মান আৰু ভাৰতীয় চৰিত্ৰত অনেক বিষয়ত অতি আচবিত ৰকমে মিলে। কেৱল জাৰ্ম্মান কবিয়েইহে যে জাগৰিকে (দুখবাদ) গান কৰিছে, এনে নহয়, ভাৰতীয়ৰো কবিছে—এই দুখবাদকে ভেটি কৰি বুদ্ধৰ নীতি গঢ়া হৈছিল। একাধিক ভাৰতীয় কবিয়ে জগতৰ দুখ, শোক, নশ্বৰতা, সমস্ত পাৰ্থিব বস্তুৰ অসাৰতা বিলাপ স্বৰূপে লিখিছে। সেইবোৰ কথাই আমাৰ দুখবাদৰ প্ৰধান কবি নিকলছ লিনেৰ নাম আমাৰ মনত স্পষ্টৰূপে সোঁৱাই দিয়ে। হীনে (Heine) যেতিয়াই উক্তি কৰিছে

"নিদ্ৰা সুখকৰী তাতোকৈ মৃত্যুই সুন্দৰ।
সবাতোকৈ শ্ৰেষ্ঠতম জন্ম যদি নহয় পুনৰ।"

তেতিয়া তেওঁ সেই একে ভাবকে প্ৰকাশ কৰিছে, যি

৪. Especially by G. Brandes and by Leopold Von Schroder.

ভাব ভাৰতীয় দাৰ্শনিক পণ্ডিত সকলে প্ৰকাশ কৰে। ভাৰতীয় লোকে বৰ আগ্ৰহেৰে মৰণৰ পিছত পুনৰ্জ্জন্ম নোহোৱাটোকে বাঞ্ছা কৰে, তাত বাজে আন একো আকাঙ্ক্ষা নকৰে। পুনঃ প্ৰকৃতিৰ নিমিত্তে ভাৰপ্ৰবণতা আৰু অনুভূতি জাৰ্ম্মান আৰু ভাৰতীয় কবি সকলৰ উমৈহতীয়া সম্পত্তি,—কিন্তু কবলৈ গলে,— সেইবোৰ ছিদ্ৰ বা গ্ৰীক কবিতাৰ ওচৰত সম্পূৰ্ণ অচিনাকি। জাৰ্ম্মান আৰু ভাৰতীয় দুয়ো জাতিয়ে প্ৰকৃতি বৰ্ণনা ভাল পায়। উভয় ভাৰতীয় আৰু জাৰ্ম্মান কবি সকলে মানুহৰ হৰ্ষ-শোক চতুৰ্দ্দিশে আগুৰি থকা প্ৰকৃতিৰ লগত বিজাই সাদৃশ্য আনন্দ পায়। আৰু এনে সম্পূৰ্ণ বিভিন্ন ক্ষেত্ৰত আছে,—যত আমি জাৰ্ম্মান আৰু ভাৰতীয়ৰ ভিতৰত সাদৃশ্য লক্ষ্য কৰোঁ। পূৰ্ব্বে উল্লেখ কৰা হৈছে যে, ভাৰতীয়ৰ ধাউতি বৈজ্ঞানিক-পদ্ধতি বাহিৰ কৰা আৰু আমাৰ কথাতো এইটো সপ্ৰমাণ হয় যে ভাৰতীয় বিলাক প্ৰাচীন যুগৰ স্বনাম (মনীষীৰ) জাতি আৰু জাৰ্ম্মানবিলাক আধুনিক কালৰ স্বনাধৰ জাতি। অতি আদি যুগতে ভাৰতীয়বিলাকে আগধৰি প্ৰাচীন পৰিত্ৰ (ধৰ্ম্ম) গ্ৰন্থবিলাক ভাষা-তত্ত্বৰ উদ্দেশ্যেৰে বিশ্লেষণ কৰিছিল ;—ভাষাবিষয়ক দৃশ্যাৱলী (Phenomena দৃষ্টিৰ বিষয়ীভূত বস্তুবিলাক) বৈজ্ঞানিক প্ৰণালীৰ অনুক্ৰমে শ্ৰেণীবিভাগ কৰিছিল।

তেওঁলোকে তেওঁলোকৰ ব্যাকৰণ ইমান উন্নতকৈ তুলিছিল যে আনকি আজিও আধুনিক ভাষাবিজ্ঞানে তেওঁলোকৰ ব্যুৎপত্তিগত অৰ্থক মূলভেটি স্বৰূপ ব্যৱহাৰ কৰে। সেই দৰে,—আজিৰ জাৰ্ম্মানসকল শব্দবিদ্যা আৰু ভাষাবিজ্ঞানৰ সকলো ক্ষেত্ৰতে নিৰ্ব্বিবোধ নায়ক হৈছে।

ভাৰতীয় ভাষাতত্ত্ব ক্ষেত্ৰত আৰু ভাৰতীয় ভাষাৰ গবেষণাত জাৰ্ম্মানবিলাকেই বাট দেখুৱা আগবঢ়া। ইংৰাজৰ ওচৰতো আমি অনেক ঋণী ; তেওঁলোক ভাৰতৰ শাসন কৰ্ত্তা হৈ ভাৰতীয় ভাষা আৰু সাহিত্য কাৰ্য্যকৰী আৱশ্যকতাৰ ফল স্বৰূপে যেনেকৈ শিক্ষা কৰিছিল, তেনেকৈ কিছুমান প্ৰসিদ্ধ ফৰাছী ইটালীয় ওলন্দাজ, ডেনমাৰ্ক আমেৰিকা আৰু কছিয়াবাসীয়েও শিক্ষা কৰিছে ; আৰু ইয়াকো পাহৰিব নেলাগে,—কিছুমান দেশীয় ভাৰতীয় মনীষীয়েও ভাৰতীয় সাহিত্য আৰু কৃষ্টিৰ তথ্যানুসন্ধান হাতত লৈছে। এই সকলৰ ভিতৰত জাৰ্ম্মান বিলাকেই নিঃসন্দেহে প্ৰধান ভাগ লৈছে :— তেওঁলোকে সূক্ষ্ম সমালোচনাৰে মূল পুথিৰ সংস্কৰণ প্ৰকাশ কৰিছে, মূলৰ ব্যাখ্যা কৰিছে, তথ্যানুসন্ধান কৰিছে ; অভিধান, ব্যাকৰণ আদি ৰচনা কৰিছে।

কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—কৃপাবৰ

বৰবৰুৱাৰ ওলগ লৈ জয়ধ্বজে কলে, "ডাঙৰীয়াৰ মুখনিসৃত অমৃতোপম বাক্য শুনিবলৈ আজি আকৌ ওলাইছোঁহি। সেইদিনা ডাঙৰীয়াই সাহিত্যৰ বিষয়ে অলপ কব বুলি কৈছিল।"

বৰবৰুৱা—মিনাৰাম শৰ্ম্মা নগৰ-মহল-মৌজাদাৰে বাকী খাজনাৰ তাগাদা লগোৱাৰ দৰে তুমি যে ইমান সোন্‌কালে তাগাদা লগাবা, নাজানিছিলোঁ। মৌজাদাৰে ঘৰ-কোৰোক কৰাদি তুমি কিজানি মোৰ মন-কোৰোককে কৰিবলৈ আহিছা।

তুমি সেইদিনা মোক সুধিছিলা নে, যে সাহিত্য ক'ৰপৰা ওলাল?

জয়ধ্বজ।—হয় ডাঙৰীয়া।

বৰবৰুৱা।—অৰ্থাৎ তিনি অমুকে থাকোতে চাই, সাহিত্যটো ক'ৰপৰা ওলাল ভোৰোকাই? তোমাৰ প্ৰশ্নটো এনে গঢ়ৰ। শুনা। সাহিত্যই কাকো সুধি-পুছি ওলোৱা নাই; আৰু তেনেকৈ তাৰ ওলাবৰ সকামো নাই। তোমাৰ প্ৰশ্নৰ উত্তৰ মোৰ গোটাদেক প্ৰশ্নেৰে দিওঁ। তোমাৰ গাৰ ঘাম কাৰ অনুমতিত ওলায়? ছমহীয়া লৰা-ছোৱালীৰ দাঁতে কাক সুধি-পুছি গজে? দিনৌ তোমাৰ খুৰৰ বিৰুদ্ধে সংগ্ৰাম কৰি তোমাৰ মুখৰ ডাঢ়ি-গোঁফ কাৰ হুকুমত ওলায়? কলগছৰ মধুনাৰ দৰে অধুনা যেতিয়া সাহিত্য ওলাল, তাক ৰাখে কোনে? সি উৰ্দ্ধমুখী বা অধোমুখী, যেনে ইচ্ছা তেনেকৈয়ে ওলাল, ওলাই থাকিব, আৰু নোসোমায়। যথা, গাটৰপৰা ওলোৱা কেচু। এতেকে তাক এৰাব-নোৱাৰা দ্ৰব্য বুলি ধৰি লৈ সহি চলিবই লাগিব। লগতে মনত পৰিছে দেখি কওঁ,—আজি কালি অসমীয়া লেখকৰ লেখাত কিছুমান মাত-কথা ওলাইছে, সেইবোৰ কিন্তু সহি চলিবলৈ মই বৰ টান পাওঁ। দুটা এটা উদাহৰণ দিওঁ। "বজাই"। যেনে, তোমাৰ কথাটো বজাই থাকিল, মোৰটো নাথাকিল।—পূজাৰিয়ে ঘণ্টা বজোৱা, ঢুলীয়াই ঢোল বজোৱা, টটাটিঙা লৰাই বগল বজোৱা শুনিছোঁ, আৰু এজনৰ কথাত আন এজনে মুখ বজোৱাও শুনিছো, কিন্তু ওপৰত উল্লেখ কৰা কথাটো 'বজাই' থকা শুনা নাছিলোঁ। আগৰ কালৰ অসমীয়াৰ ঘড়ীত এক, দুই, তিনি, চাৰি, এঘাৰ, বাৰ বাজিছিল; আজিকালি বঙ্গালীৰ ঘৰত বজাদি এটা, দুটা, এঘাৰটা, বাৰটা বাজিবলৈ ধৰিছে। আমাৰ পুৰণি অপেস্বৰা অপেস্বৰীক তো তৰুণী "পৰীয়ে" ডেউকাৰে ঢপ্‌ঢপাই বা ঢপলাপিটি, শাড়ীৰ আগটোৰে কঁকালত টঙালি বান্ধি খেদি দিবলৈ উঠিছেই। হেমচন্দ্ৰ আৰু লম্বোদৰৰ দিনত ইংৰাজী Spelling শব্দটোৰ সলনি, বৰ্ণবিন্যাস আৰু আখৰ-জোঁটনি, এই দুটাই গাইগোটা—পেটেভঁৰাল হৈ বন কৰি দি ঘৰ-সংসাৰ চলাইছিল; আজি সিহঁতৰ প্ৰতিদ্বন্দ্বীৰূপে "বানান" নামৰ বঙালী কুলী ওলালহি। এই দৰে বিদেশীয়ে অসমৰ ভাষা "বনাব" লাগিলে "প্ৰবাসীয়ে" এদিন কিজানি কবই যে "আসামবাসী অবাঙালীদেৰ ভাষাটা বাঙালীৰ বানান।" আগৰ দিনত দুজন চাৰিজন অসমীয়া গোটখাই "আমি" হৈছিলোঁহঁক; আজি "আমালোক" হৈ "লোকালোকৰ সিভিতি" পাইছোঁ-গৈহঁক। ইত্যাদি। অৱশ্যে জানো, যে কালৰ গতিয়েই এনে। অদৃষ্টৰ পৰিহাসত কতফালে কত জ্ঞান জন্মে, কত কাণ্ড ঘটে, তাৰ কি লেখ-জোখ আছে। ৰংপুৰৰ শ্ৰীৰঙামুৱাৰ চুৰিয়াখন যিমান দীঘল যিমান পুতলৰেই হওক, ৰঙামুৱাই পিন্ধোতে তাক দুইফালে সামৰি টিকাৰ ওপৰত তুলি থয়; সেই দেখি ৰংপুৰীয়া ৰাইজে ৰঙামুৱাক ৰঙামুৱা নুবুলি, ফট্‌ফটীয়াকৈ চকুতপৰা টিকালৈ লক্ষ্য কৰি

তাক "টিকাচেলাই কাই" বুলি মাতে। জোৰহাটৰ জয়ৰাম গাওঁবুঢ়াৰো তেনে দুৰ্দ্দশাই। গাওঁবুঢ়াৰ মুখত সমুখৰ দাঁত বোৰ দীঘল আৰু উজলা। গাওঁবুঢ়াই নাহাঁহিলেও তেওঁক সততে হাঁহি থকা যেন দেখি। ফলত জোৰহটীয়া মানুহে গাওঁবুঢ়াক মাতে "দাঁত চেলাই জয়ৰাম।" এতেকে এনেবোৰ কথাত আহুকাল পালে নচলে।

ন্যায় দৰ্শন, কাব্যৰ লগে লগে সাহিত্যও কৰবাত আছিল নিশ্চয়। হব পাৰে, ঈষৎ প্ৰকাশ্যভাৱে, বা কিছুদূৰ গুপ্তভাৱে। দুঃশাসনে যাজ্ঞসেনীক ৰাজসভালৈ টানি আনি বিবস্ত্ৰা কৰিবৰ চেষ্টা কৰাদি আজিকালি সাহিত্য-ৰসিকে তাক বিদিত কৰি দেখুৱাবৰ প্ৰযত্ন কৰিছে, এই মাথোন। অনেক সময়ত অনেক বস্তুৱে কাপোৰ-কানি সলাই ন সাজ পিন্ধি জীৱনৰ ভাৱনা-ঘৰত ন যেন হৈ ওলায়। বিজুলী, দাঁতৰ বিষ, বায়ু-ৰোগ, কফজ্বৰ, মঠ, মন্দিৰ, সত্ৰ সভা, কীৰ্ত্তন, ইত্যাদি অনাদি কালৰেপৰা আছে। সেইবোৰৰে নতুন নামকৰণ, চূড়াকৰণ, লগুণ-দিয়নি হৈ, সেইবোৰেই আজি ইলেক্‌ট্ৰিচিটি, টুথ্‌এক, পায়োৰিয়া, ব্লড্‌প্ৰেছৰ, মনেষ্টেৰি, টেম্পোল, আস্পতাল, সংকীৰ্ত্তন, ইত্যাদি হৈ ওলাইছে। দূৰলৈ যাবই নালাগে, আমাৰ এই দুখীয়া অসমৰে বেজবৰুৱা—Bezbaroa, বৰা—Borrah, সন্দিকৈ—Handique, গোস্বামী—Gossain হল। সুখীয়া বঙ্গৰ ঠাকুৰ তো Tagore হবই। কালত খাল বাম হয়, বাম খাল হয়। অৱশ্যে কেতিয়াবা কেৰোলা বেঙেনা হবগৈনে নহয় কব নোৱাৰোঁ। এতেকে যেতিয়া আকৰীৰে সৈতে গৃহবাস কৰিব লগীয়া হল, খৰিয়াল নকৰাই ভাল। আকৰীৰ লক্ষণ কি কওঁ শুনা। আকৰী বুলিছোঁ, তোমাৰ সাহিত্যকেই। তাহানি বুঢ়ী আইৰ মুখৰ পৰা শুনা সাধু এটা মনত পৰিছে। সাধুটোৰ নাম ভোম্‌কেৰোলা। ভোম্‌কেৰোলাৰ দুজনী ঘৈণীয়েক আছিল। বৰজনীৰ লগনীয়া কথা শুনি ভোম্‌কেৰোলাই সৰুজনী ঘৈণীয়েকক কথায় কথায় কিলায়' কিলৰ অস্ত্ৰস্বৰূপে, চোতালত শুকাবলৈ মেলি দিয়া কাঠ-খৰিকে প্ৰমুখ্য কৰি ঢেঁকীশালত অলাগতীয়া হৈ পৰি থকা ঢেঁকীঠোৰাও ব্যৱহৃত হৈছিল। ঈশ্বৰৰ কৃপাত এদিন সৰুজনী ঘৈণীয়েকে নৈত গা ধুবলৈ যাওঁতে ঘাটৰ কাষতে বান্ধি থোৱা নাৱৰ নাৱৰীয়া এজনৰ পৰা ভোম্‌কেৰোলাৰ আগ ডোখৰ জীৱনৰ আঁতি-গুৰিৰ কথা শুনিবলৈ পালে। আচলতে ভোম্‌কেৰোলা জাতিত কৈবৰ্ত্ত; তাৰ পুৰণি জন্মস্থান বাসস্থান সি পৰিত্যাগ কৰি নামটো সলাই নতুন গাৱঁলৈ আহি নিজক বামুণ বুলি চিনাকি দি বামুণৰ ছোৱালী দুজনী বিয়া কৰাই গৃহস্থালী চলাই আছিল।

ভোম্‌কেৰোলাৰ ঘৈণীয়েকে এই কথা শুনি ঘৰলৈ উভতি আহিল। সেই দিনাই গধূলি ভোমকেৰোলাই ঢেঁকীঠোৰা হাতত লৈ তাইক মাৰিবলৈ আহোতেই তাই মন্ত্ৰ মাতিলে:—

"ভোম্‌কেৰোলা তোৰ নাও।
বটাকুছিত তোৰ গাওঁ।
যদি মাৰ, ভেদ ভোঁহাৰি পেলাওঁ।"

মন্ত্ৰমাৰ শুনি ভোম্‌কেৰোলা জঁয় পৰি গল। কিন্তু তোমাৰ শ্ৰীযুত সাহিত্য শ্ৰীমান ভোম্‌কেৰোলা নহয়। সেই দেখি তাৰ অলপ আঁতিগুৰিৰ কথা কলেও সি জঁয় পৰিবৰ ভয় নাই।

সংস্কৃত সহিত শব্দটো সাহিত্যৰ মূলা। তাৰপৰা মেলা পাত, ঠাৰি, ফুল ইত্যাদিবোৰ সাহিত্য। সহিত মানে সৈতে অৰ্থাৎ ব্যাকৰণ, অলঙ্কাৰ, ছন্দাদিৰে সৈতে লগলাগি মোহন-দৰশন হৈ ওলাই দেখোতাক আৰু শুনোতাক সন্তোষ দিয়া গদ্য, পদ্য, ৰচনাই সাহিত্য। বাস্তৱিকতে "সাহিত্য" "সাহিত্যিক" "সাহিত্য-ৰথী" বিদেশী লেখক সকলৰ দ্বাৰাই বিনিৰ্ম্মিত পশ্চাজ্জাত শব্দ। কাৰ্য্যটো ভালেই, সেই দেখি আমিও তেওঁলোকৰ শলাগ লৈ তেওঁলোকৰ পাছে পাছে বাট বুলিছোঁ। আমাৰ পদস্খলনৰ ভয় নাই, কাৰণ আমাৰ হাতত আছে কলিকতীয়া লাখুটি।

যিহকে পায় তাকে লেখি গলেই সি সাহিত্য নহয়। সাহিত্যৰ দেহ-লাওটো বিষয়-বস্তুত নহয়; আকাৰ-প্ৰকাৰত হে। অৰ্থাৎ ইংৰাজীতে যাক কয় matter, তাত নহয় form-অত হে। ৰচনাৰ উৎকৰ্ষ অপকৰ্ষৰ ওপৰত সাহিত্যৰ জাতে ভৰি দি চলে। কোনোৱে

তেওঁৰ বচনাত বা কিতাপৰ নায়ক টাইপুৰাই কুদ্ধি ভবাই বহু-বস্তু বোজাই দি লৈ গলেই যে সি সাহিত্যৰ বণিজ হল এনে নহয়। সি মুদৈ বা সাউদৰ বেহেকেৰা নাও হব পাৰে, তাত মাহ সবিয়হ ধান চাউল টাহ থাই থাকিব পাৰে, কিন্তু তাত সাহিত্যৰ সাতেশবী হাব নাই। তেনে বচনা পুৰণি গুদাম বা নতুন গুদামত গুঁজি থোৱা মাল মাথোন। তেনে কিতাপ মাল-গাড়ীয়ে টানি লৈ যোৱা "মালকা ডাঙ্গ" সাহিত্য-সভা বা সাহিত্য-পৰিষদৰ "মেইন লাইনৰ" ডাঙৰ "ষ্টেশ্চনৰ" ১, ২, ৩, নং "প্লেট্ফৰ্ম্মত" সেই বোৰ ওৰেগনে থিতি নাপায়। সাহিত্যৰ কণতহে বস ; বস্তুৰ সম্ভাৰত নহয়। কেঁচাৰ গোলাৰ মালৰ আৰু বজাঘৰীয়া বব-ভৰালৰ বস্তুৰ প্ৰচুৰ মূল্য আছে নিশ্চয়, কিন্তু তাত সাহিত্যৰ অধিষ্ঠাত্ৰী দেৱী যোগমায়া নাই। এই দেৱীৰ আসন—কবিৰ কাব্যত, নিপুণ বচকৰ বচনাত, মালিনীৰ মালাত, সুন্দৰীৰ খোপা আঙুৰি থকা ফুলৰ চাকিত। অৱশ্যে সাহিত্য বচনাত বিষয়ৰ গুৰুত্ব যে একেবাৰেই দলিয়াই পেলাব লগীয়া বস্তু, এনেও নহয় ; "কাৰ্য্য-কালক অপেক্ষি" তাৰো সাৰ্থকতা আছে, তাৰো প্ৰভাৱ-প্ৰগল্‌ভ-প্ৰৌঢ়ি আছে ; কিন্তু সেয়েই যথেষ্ট নহয়। বচনাৰ মৰ্য্যাদাহে সাহিত্যৰ প্ৰাণ, সংবাদ সংগ্ৰহ নহয়। সাহিত্যিকৰ চিন্তাৰ নতুন বসৰ ধাবেহে সাহিত্যিক সঞ্জীবিত কবে, চিন্তিত সামগ্ৰীৰ দীঘল তালিকাই নকবে। চিন্তাৰ বিষয়-বস্তুৰ ফৰ্দ্দৰ মূল্য থাকিলেও, সাহিত্যৰ হিচাপত সি অকিঞ্চিৎকৰ। বিষয়ৰ মৰ্য্যাদাত সাহিত্যিকৰ কৃতিত্ব নাই ; বস-সৃষ্টিত হে কৃতিত্ব। বিষয় গৌৰবত সাহিত্য গৌৰবান্বিত নহয়, বসৰ অৰ্থ গৌৰবত হে। এই দেখিয়েই কোৱা হৈছে :—

"উপমা কালিদাসস্য ভাৰবেৰৰ্থ গৌৰবং।
নৈষধে পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ।"

প্ৰতিভা সাহিত্যিকৰ সম্বল। গ্ৰন্থত যে মৌলিক চিন্তাৰ মূল্য নাই এনে নহয় ; কিন্তু বিষয়-বস্তুৰ অৱলম্বনত যি মৌলিক চিন্তা গ্ৰন্থকৰ্ত্তাৰ বিশিষ্ট ভঙ্গীত উদ্ভব হয়, সি হে সাহিত্যত মূল্যবান। সাহিত্য বচকে সাধাৰণ বিষয় বস্তুতে এনে এটা বস-কণ দিয়ে যে সেই কণেই পাঠকৰ চিত্ত বিমোহ কৰে। বাটত যাওঁতে এজনে শুকান কাঠ এডোখৰ দেখি কলে "শুষ্কং কাষ্ঠং তিষ্ঠতি অগ্ৰে।" তেওঁৰ লগতে থোৱা সাহিত্যিকে তাতে বস চবাই ৰূপ সৃষ্টি কবি কলে—"নীৰস তৰুবৰ পুৰতো ভাতি।" সাহিত্যিকৰ হাতত পৰি সেই শুকান কাঠতে কুহি পাত ওলাল। তত্ত্বব্যাখ্যা আৰু বস্তু বিশ্লেষণ পৰিপূৰ্ণ বচনাই লেখকৰ চিন্তাৰ চিনাকি দিব পাৰে, কিন্তু সি প্ৰকৃত সাহিত্য নহয়। জ্ঞাত "মাল-মছলা" আছে ; মন্ত্ৰদৃষ্টি বসসৃষ্টি নাই। এই দেখি স্কুল কলেজত চলাবলৈ লিখা গ্ৰন্থক প্ৰকৃত সাহিত্য বুলিব নোৱাৰি ; বুলিব পাৰি পঞ্জিকা বা সংগ্ৰহ। তেনে গ্ৰন্থৰ গ্ৰন্থকাৰ সকল "বানচৰ বন্ধুৱা" মাথোন। মুঠতে সাহিত্য বচনাত বচকে কি কথাটো ভাবিছে, সেইটো আচল নহয় ; কেনেকৈ ভাবিছে, সেইটোহে আচল পদাৰ্থ শুনা জয়ন্তৰ ! আজি কালি সাহিত্যৰ নামত বজাৰত ডুঁহ আৰু পতান চলিছে। যদিও আমাৰ পুৰণি ফকবাত আছে,—

"গাধীৰৰ নামত পানীকে খাবা।
দোলাৰ নামত শিকিয়াতে যাবা।"

মই হলে তেনে ফকবাৰ কথা মানি চলিব নোৱাৰোঁ। গাধীৰ নাই, নাখাওঁ ; দোলা নাই, নাযাওঁ ; এই কথা। আজিলৈ "গুড্ নাইট" জয়ন্তজ !



বাবুচোৰ

গল্প— —শ্ৰীযুত মোহনলাল চৌধুৰী

শৰতৰ সন্ধ্যা। প্ৰকৃতিয়ে কুৱলীৰ পাতল ওৰণী এখন টানি লৈছে। ঘৰে ঘৰে চাকি ছটি এটি জলি উঠিব ধৰিছে। হেন সময়তে নিবানন্দ ময় পুৰণি কলীয়া ঘৰ এটাৰ দুৱাৰ মুখত নৰেণে আহি মাত লগালে "ভূপেন আছা নে ?" ভিতৰৰ পৰা গম্ভীৰ উত্তৰ আহিল "দুৱাৰখন ঠেলা মাৰি আহা ; বন্ধ নহয়।"

আহল-বহল কোঠা এটা। মাজ মজিয়াত এখন মেজত ভূপেনে কিবা লেখি আছিল। বন্ধা কেৰাচিন তেলৰ লেমটোৰ জৰাগ্ৰস্ত পোহৰে কোঠাটোৰ চাৰিও কাষৰ মেঘৰ ওচৰ চুকি পোৱা গৈ নাই। কোনোবা কালতে ধবলীত চুণতেল দিছিল বুলি অনুমান হয়। তাৰে ওপবত মাজে মাজে গোবৰ মাটিবে লিপি চিত্ৰ বিচিত্ৰ কবি পেলোৱা হৈছে। বহা আসনৰ ভিতৰত হাত ভাঙ্গা পিঠি এবা মূল্যবান পুৰণি চকী কেইখন মান। দীঘল মেজ এখনত ধূলিবে ঢাক খাই থকা উয়ে বাৰ কতা কিতাপ কিছুমান বেওৰাবিচ ভাবে পৰি আছে। নৰেনৰ এই নিবানন্দময় ঘৰত সোমোৱা মাত্ৰকে মনটো অলপ দমি গলেও বল সঞ্চয় কবি কলে "কিহে ফাটক থালাচী ! সাজবেলা ওলোৱা অভ্যাসটো একেবাৰেই পাহৰি গ'লা নেকি ?" বন্ধুৰ কথা শুনি ভূপেনৰ মুখত হাঁহিৰ বঙ্গা বেখা এটা পৰি আকৌ নাইকিয়া হল। ইবাৰ আগতকৈয়ো মলিন ভাবে কলে "নহয় ভাই, মাৰবীয়া ভাগিনটোৰ পৰা চিঠি এখন পাইছোঁ, তাবে উত্তৰ লেখিছোঁ।"

ভূপেনৰ ভিহিনীয়েক এজন নাম জাদা চাহ খেতিয়ক। লবা কালৰ পৰা ডেকা কাললৈকে বায়েকৰ লগতেই তাৰ বেছি ঘনিষ্ঠতা। মাকতকৈ বায়েককে সি বেছিকৈ জানে। বায়েক ভিনিহীয়েকতকৈ তাৰ আৰু বেছি আপোন কোনো নাই বুলি সি ভাবিছিল। ভিহনীয়েক যে পৰ মানুহ আৰু বায়েকৰ কাৰণেই যে আপোন হৈছে, এই কথা ভূপেনে বায়েক মৰাৰ এই কেইমাহ পিছৰ অভিজ্ঞতাৰ পৰা হে বুজিব পাৰিলে।

আই-এ ত বৃত্তি পাই থাৰ্ড ইয়াৰত নাম লগাওঁতেই কলেজ স্কুল "ষ্ট্ৰাইক"ৰ ধুম উঠিল, চাৰিও ফালে "গান্ধী কি জয়" ধ্বনিৰ মহাবোল চানি গল ! বাজাজ ফাণ্ডৰ পৰা দৰমহা খাই খাই উকীল বাৰীষ্টাৰ সকলে চবকাৰী আদালত "বয়কত" কবি ত্যাগৰ অলঙ্ক পটন্তৰ দেখুৱাব ধবিলে। তেওঁলোকৰ ওজস্বিনী ভাষাৰ বক্তৃতা শুনি কলেজ বিদ্যাৰ অসাৰতা উপলব্ধি কবি ভূপেনেই কলেজ এবাত সকলোবে আগ বঢ়ুৱা হল আৰু গাৱলীয়াৰ মাজত যতৰ নেওঠনী চলোৱাত লাগি গল। সকলোৱে কলে "এয়েতো ভাঙ্গৰ মানুহৰ লবাৰ কাম। বাঘৰ ছলি বনক দৃষ্টি।" ভূপেনৰ পিতাকে বাইজৰ হকে কি কবিছিল, কমিশ্চনাৰ ডেপুটি কমিশ্চনাৰৰ লগত নিৰ্ভীক ভাবে কি তৰ্ক বিতৰ্ক কবিছিল, তাবে নোটি পত্ৰৰ বাইজৰ মাজত পুনৰ আলোচনা হব ধবিলে। বি-এ পাছ হলে স্বৰ্গীয় পিতাকৰ সুত্ৰোদি হাকিমী পদ ভূপেনৰ সুনিশ্চিত আছিল। বক্তৃতাত পাৰ্গত দেশহিতৈষী সকলে এই ত্যাগৰ আদর্শ বাইজৰ আগত দাঙ্গি ধবাৰ সুযোগ এবা নাছিল। বন্ধু বান্ধবে এই গৌৰবত গৌৰবান্বিত হৈ উঠিছিল। ভূপেনৰ হাউনীলৈ অহা যোৱা মানুহৰ সীমা সংখ্যা নাই।

দুবছৰ বিনাশ্ৰম কাৰাদণ্ড ভুগি হৃদ বোগ এটা বুকত বাকি, আগৰ সৌষ্ঠৱ পূৰ্ণ শৰীৰ জেল খানাত এবি হাড় ছাল সোপা লৈ ভূপেন আহিবৰ আজি কেই মাহমান হৈছে। সি জেলত থাকোতেই বায়েকো ঢুকাইছে। এতিয়া

ঘৰৰ অৱস্থা বৰ বেয়া। ভূপেনৰ পিতাক অইন ধনীৰ দৰে দুখীয়াৰ তেজ শুহি অনা বিধৰ মানুহ হোৱা হলে তেওঁৰ টকা কোনে কিমান খালেহেঁতেন। বহুত একাণি পতীয়া মনৰ নীঃসহায় ঘূৰি ফুৰা ডেকাক তেওঁ টকা পইছাদি নিজে খাতি-খুতি ব্যৱসায় বাণিজ্যত লগাই দিছিল। সিহঁতৰ হিচাব পৰীক্ষা, ব্যৱসায় বুদ্ধি শিকোৱাৰ বাবে সপ্তাহত এটা বাৰ তেওঁৰ বন্ধা আছিল। মৃত্যুৰ সময়ত যিখিনি টকা এৰি গৈছিল, তাৰে ভূপেনৰ পঢ়াৰ খৰচ যোগাওতে কিছু ব্যয় হ'ল। বাকী কিছু ভূপেনৰ হিত চিন্তা বন্ধু বান্ধৱে কাঠিত বহি হিত চিন্তি চিন্তি মাকৰ হাতৰ পৰা সৰকালে। আৰু কেৱে বা ভূপেনৰ কইনাৰ বাতৰি দিয়ে নিলে, কেৱে হেণ্ডনোট দি, কেৱে এনেই নি নাইকিয়া কৰি পেলালে।

এতিয়া তেওঁৰ ঘনাই খবৰ লওঁতা লৰা কালৰ লগৰীয়া নৰেনেই যি আছে বাকী বিলাকে ক্ষণ বুজি এৰা দিছে। বহুতে এতিয়া দেখিলেও গল কাতি কৰি গুছি যায়। নামাতিলে নহয় বুলি কোনোৱে এষাৰ মাত দিয়ে এই মাত্র। টকা পইছাৰ কথা কলে কেৱে কয় "নমৰো মানে নেহেৰায় বোপা" কেৱে বা কয় "জবানেই সাত খন লেখাৰ সমান" ইত্যাদি ভাবৰ উত্তৰ পায়। মানুহৰ গলত চিপজৰী নাথাকিলে মুখেৰে কোৱাত ফল নাই দেখি ভূপেনে এতিয়া আৰু একো নকয়।

বায়েকৰ কথা মনত পৰিলে সি চকুপানী সামৰিব নোৱাৰে। সামান্য কথাতে বায়েকৰ ওপৰত ৰোহ কৰি কত দিন যে বন্ধত নগৈ হোটেলৰ ভাত খাইছে, মানুহ পঠিয়াই ভেম ভাঙ্গি নিয়াৰ কথা আৰু কত কিযে মধুময় স্মৃতিৰ মায়া কানন ৰচনা কৰি নির্জ্জন হাউলীৰ জীর্ণ কোঠাত অকলে অকলে দিন নিয়াইছিল। এনেতে নৰেনে আহি কলে "কিহে কৃষক সন্মিলনীৰ সভাপতি, দেখোন ঘৰতে বহি আছা?" ভূপেনে কলে "মই নোৱাৰিম বুলি কলোঁ। কাম কৰিব নোৱাৰিলে কি হব এদিন মিছামিছি বক্তৃতা সোপাদি।" "তেন্তেনো কোন হল?" ভূপেনে কলে—"মই বৰ গোঁহাইৰে নাম কৈছোঁ। হওক তেঁৱে উকীল মানুহ এটা বক্তৃতাৰ পৰা দুই চাৰি জন মক্কেল পায় যদি সেয়ে যথালাভ।" নৰেন অলপ গৰম হৈ কলে "তুমিও সেই জনকহে বিচাৰি পালা। দুই বছৰৰ ভিতৰত হোৱা পৰিবৰ্ত্তন তুমি ধৰিব পৰা নাই। "কমিউনেলিজিম" আৰু "প্ৰভিন্‌চিয়েলিজিম" আৰ "ভিটামিন" এইজন স্বৰাজীষ্টে হজম কৰি পেলাইছে। তাৰে এতিয়া পৰীক্ষা কৰিছে গাৱলীয়া আৰু চহৰীয়া বুলি এখন মহামেল লগাই দি। হোজা গাৱঁলীয়াই বাই তলীত পৰি কেপ্ কেপাই থাকোতেই যাব, লোকে মজা কৰি কাউন্সিললৈ গৈ টিঘিল ঘিলাব।" "তেওঁ জানো গাৱলীয়া?" নৰেনে কলে "তেওঁৰ ভেটি এটা গাওঁত আছে নহয়। অনক্ষৰৰ পৰা বোলে ভোট আনিবৰ এইটিয়ে উত্তম উপায়। শিক্ষিতে এনেদৰেই অশিক্ষিতক ঠগায়" ভূপেনে এটা দীঘল হুমুনিয়াহ পেলাই কলে "কৰক দিয়া যেয়ে যি কৰে; যেতিয়া নিজৰ বল নাই। এই মনোবৃত্তি লৈ আমিয়ে আকৌ যাওঁ বৃটিছ গৱৰ্ণমেণ্টৰ লগল যুজ কৰি ৰামৰাজ্য পাতিবলৈ।" নৰেনে বন্ধুৰ মন বুজি কলে—"যি হবৰ হৈছে বলা, বলা আজি লক্ষ্মী পূর্ণিমা। ব্ৰহ্মপুত্ৰৰ পাৰেদি অলপ ঘূৰি অহা যাওক।" ভূপেনে আচৰিত হৈ উঠি কলে "লক্ষ্মী পূর্ণিমা আজি! বলা তেন্তে"। বুলি দুই বন্ধু ওলাই গল।

শৰৎ কালৰ চন্দ্ৰাৱলী ৰাতি। চন্দ্ৰমাই উতলা ব্ৰহ্মপুত্ৰৰ লগত মহানন্দে ৰাস ক্ৰীড়া আৰম্ভ কৰিছে। দুই বন্ধু নীৰৱে গৈ নিজান ঘাটৰ ওখ শিল এটাত বহিল। নিলগত কোনো এজনে বাহীঁ বজাইছিল। ছিল ছিল কৈ বলা বতাহ একোছাটিয়ে গাত একো একোবাৰ শিহৰণ তুলি দিছিল। এনেতে ভূপেনে আপোন মনে কৈ উঠিল "এই শৰৎ কালৰ জোনাকত কতদিন বাইৰ সৈতে কথা পাতি কটাইছিলোঁ ইয়াতে! বায়ে জোনাক বৰ ভাল পাইছিল। তোমাৰ দৰে বাই আজি লগত থকা হলে নদীৰ ইমান কাষৰ শিলত মোকতো কেতিয়াও বহিব নিদিলেহেঁতেন নৰেন! সিদিনাৰ কথা, অথচ আজি সপোন যেন লাগে।"

নৰেনে ফুৰিবলৈ উলিয়াই অনাৰ উদ্দেশ্য—বুজাই বঢ়াই বন্ধুক এটা কামত লগাই দিয়া। সেয়ে নৰেণে কলে "আকৌ

সেইবোৰ উলিয়াইছা? এনে হলে মই আৰু তোমাৰ লগত নফুৰো। বাৰু ভূপেন! যোৱাতো গলেই, তুমি এতিয়া কি কৰিবা বুলি ভাবিছা। এনেকৈ ভাবি গুণি থাকিলে চলিব জানো? এই অৱস্থাত তোমাৰ মাৰা আৰু সৰু ভায়েৰা, হঁতৰতো কিবা এটা উপায় কৰিব লাগে।" ভূপেনে এটা দীর্ঘ নিশ্বাস পেলাই কলে "কি কৰিম? সেইবিলাক ভাবিলেতো বলিয়াই হোৱাৰ কথা। কিন্তু 'এইবিলাক নকৰো' বুলি চৰকাৰক লেখি দিতো চাকৰী লবলৈ, মোৰ গল কটা গলেও নোৱাৰোঁ। ভাগ্যত যি আছে হব।" নৰেনে ভূপেনৰ মুখত এই দৃঢ় ভাব ফুটি উঠা দেখি ৰং পাই কলে—"কিয় ব্যৱসায় কৰা" ভূপেনে লাহেকৈ কলে "তাকে ভাবিয়েতো জেলৰ বাহিৰত ভৰি দিছিলো, কিন্তু মোক জানো কোনোবাই টকা দিব?" "কিয় তোমাৰ চিনাজানা বহুত দেখোন অৱস্থাপন্ন সহকৰ্ম্মী আছে, এবাৰ তেওঁলোকক ধৰি চোৱাছোন। তেওঁলোকে তোমাকো বিশ্বাস নকৰিবনে?" ভূপেনে কলে—"এই কেইদিনতে আৰু মানুহ চিনিবৰ বাকী নাই নৰেন। নাম নকওঁ বাৰু; পিতাই নিজ হাতে মানুহ কৰি যোৱা ধনী এজনকে টকাৰ কথা কওঁতে কি কয় জানা? দিনৰ গতি বোলে বৰ বেয়া, টকা-পইছা সকলো বোলে বাহিৰতে পৰি আছে। বৰকৈ ধৰাত শেষত কলে যে একশ মান টকা কোনোমতে কেঞাৰ পৰাই আনি দিব কিন্তু তালৈকৈ আকৌ ভিহিনীৰ চিঠি লাগে। মানে জামিন লাগে। আৰু সহকৰ্ম্মীৰ কথা কৈছা নহয়। গৈছিলো ভবেন্দ্ৰ ডাক্তৰৰ তালৈ। জনাই নহয় তেওঁৰ টকা খাওঁতা নাই। কিন্তু কি যে কলে ভালকৈ বুজিবই নোৱাৰিলোঁ। স্বাধীনতা, আইন অমান্য, গাওঁ সংগঠন, নানান বিষয়ৰ কথা কলে। মোৰ কথাটো কোৱাত প্ৰথমেতো উৰায়ে দিলে—বোলে 'কি কাৰবাৰ কৰিবা মিছা মিছি, দেশৰ কামত লাগি যোৱা।' মই কলো 'খাবলৈ যে নাই'। শেষত প্ৰকাৰান্তৰে বুজালে যে আমাৰ ডেকাবিলাকে মাৰোৱাৰী বঙ্গালীৰ দৰে কাৰবাৰ কৰিব নোৱাৰে। বহুতৰ পৰা বহুত এনে ধৰণৰ উত্তৰ পাইছোঁ ভাই। এতিয়া সকলোকে এৰি পঙ্গুৰ দৰে ভাগ্যক ধিয়োৱাৰ বাহিৰে উপায় নাই।"

নৰেণৰ অনুৰোধত বুঢ়ামাক আৰু সৰু ভায়েকৰ মুখৰ ফালে চাই নিৰুপায় হৈ ভূপেনে শেষত বাগিচাৰ কেৰাণী কামত সোমাল। ৩০৲ টকা দৰমহাৰে ঘৰ আৰু নিজৰ খৰচ কথমপি হে চলাইছে। অবসৰ সময়ত ঘৰতে বহি আকাশ পাতাল ভাবে। কেৰাণী মহলৰ মেলত সি মাত দিবৰ ঠাই বিচাৰি নাপায়। সেয়ে বৰ আমনি লাগিলে কুলী লাইনৰ ফালে এবাৰ ওলাই যায়। সিহঁতৰ লগত দুখৰ সুখৰ কথা পাতে। মানুহে মানুহক সহায় সম্বল হীন কৰি কি দৰে পশু কৰি ৰাখিছে তাকে চায়। সিহঁতৰ দুখ, দৈন্য, অজ্ঞতা অসহায় অৱস্থা দেখি নিজৰ দুখ পাহৰি যায়। এদিন এজন বুঢ়া কুলীয়ে ভূপেনক সুধিলে—"বাবু সদায় কিয় ইমান মন মাৰি থাকা? মনত কিবা দুখ আছে নেকি?" সিদিনাৰ পৰা ভূপেনৰ বিশ্বাস দৃঢ় হল যে সিহঁতৰ প্ৰাণ আছে অইন কাৰো পৰা তো সি এনে কথা শুনা নাই। বৰং তাৰ দুখৰ এই মহাভাৰতে মানুহে নিজৰ নিজৰ মনৰ ৰহণ লিপি তাৰ বিপক্ষে নানান কথাৰ অৱতাৰণা কৰা সি গম নোপোৱা নহয়।

ভূপেনৰ চাকৰীৰ ২য় বছৰত সোমাইছে। পুৰণি মেনেজাৰ বিলাতলৈ গৈছে। নতুনজনক প্ৰথমেই বঙালী হেডক্লাৰ্ক জনে চালাম আৰু পদলেহনে দি বন্দী কৰিছিল। এই বন্দীবীৰ জনৰ দুৰ্ব্যৱহাৰত কুলীবিলাক কষ্ট হৈ উঠিছিল। কুলীৰ এই উদ্ভন্দালি ভূপেনৰ টিপত হোৱা বুলি হেডক্লাৰ্ক জনে বুজাই দিলে, কাৰণ গা-বন্ধ মাইকী এজনীক বেট মৰাৰ হুকুম দিয়াত ভূপেন এদিন প্ৰতিবাদ নকৰাকৈ থাকিব নোৱাৰিলে। সেই দিন ধৰি ভূপেনৰ ওপৰত চাহাবৰ বিষম বিষদৃষ্টি।

জাৰৰ দিন। ভূপেনৰ জেলত ওপোজা বুকৰ বিষটোই কিছুমান দিনৰ পৰা বৰকৈ পীড়া কৰিছে। তথাপি অফিচৰ কামৰ বোজা নিয়ম মতেই টানিব লাগে। হেডক্লাৰ্ক আৰু চাহাবৰ তাপত ছুটী পাবৰ উপায় নাই।

সিদিনা অসুখ অসহ্য হোৱাত কামজাৰি লৈ যাব নোৱাৰিলে, সেয়ে ছেডক্লাৰ্কে কলা মুখে কথা কৈছে। আজি আকৌ সিদিনাৰ দৰেই বিষ। চাহ টোপাই তাৰ জীৱন। সেয়ে কুলীৰ লৰাটোৰ হাত নেচাই নিজেই মনৰ জোখাৰে চাহখিনি কৰি খাব ধৰিছে, এনেতে বাগানৰ বন্ধু এজনে আনি চিঠি এখন দিলে। আখৰ দেখিয়ে বুজিলে যে নৱেনৰ চিঠি। লৰালৰিকৈ পঢ়িব ধৰিলে। চিঠিৰ মৰ্ম্ম—সক ভায়েক জন প্ৰথম হৈ "এলাও" হৈছে। খৰচৰ টকা নৱেনেই দিছে। কিন্তু মাকৰ বৰ অসুখ। তেওঁক চাবৰ কাৰণে বৰ আকুল হৈছে। অন্ততঃ ১৫ দিনৰ কাৰণে নাহিলেই নহয়।

ভূপেনে বুজিলে যে বৰ টান নহলে নৱেনে এনেকৈ নেলেখে। মানুহ জনক বিদায় দি লৰালৰি কৈ এখন ছুটীৰ দৰখাস্ত লেখি লগতে নৱেনৰ ইংৰাজী চিঠিখন গাঁথি চাহাবৰ বঙ্গলা মুখে বাটমেলা দিলে। চাহাবে মাইকী মহৰী কেইজনী মানৰ লগত কথা পাতি আছিল। এনেতে ভূপেনে "গুডমৰ্ণিং" দি দৰখাস্তখন দিলে। পঢ়ি চাহেই দৰখাস্ত খন দলিয়াৰি দি হিন্দুস্থানীতে কলে "ছুটি নোপোৱা"। এনে অপমান সহ্য কৰা অভ্যাস ভূপেনৰ নাথাকিলেও,অভাব আৰু নিৰাশ্ৰয় অৱস্থাই সকলো সহিবলৈ কিছু পৰিমাণে শিকা দিছিল। এনে চাকৰী এৰি কুলী কাম কৰিও তাৰ নিজৰ মুঠা,উলিয়াবৰ সাহস তাৰ আছিল। কিন্তু ভায়েক আৰু মায়েকৰ কাৰণেইতো তাৰ এই আত্মবলি। আৰু দুমাহ দুখে কষ্টে গলেই দেখোন তাৰ মন বুজা মেনেজাৰ আহি পাব। ইত্যাদি ভাবি তাৰ ঊৰ্দ্ধমুখী বক্তস্ৰোত নমাই দৰখাস্ত খন বুটলি আনি কলে "নহলে কেই দিনমান কম কৰিয়ে দিয়ক, সেই কেইদিনৰ দৰমহাই নালাগে।" চাহাবে খঙতে গৰম হৈ কব ধৰিলে "কুলী বিলাকক তুমিয়ে বিদ্ৰোহী কৰি তুলিছা। কোম্পানীৰ দৰমহা খাই কোম্পানীৰে অহিত চিন্তিছা। নিমহক হাৱামকা বাজ্জ"...শেষৰ কথাবাৰত ভূপেনে চকুপাই উঠিল। আচম্বিতে স্বৰণ পৰাৰ শব্দত যেন সি কঁপি উঠিল। অন্তঃস্থৰ ভাঙ্গি যোৱা হৃদয়তন্ত্ৰীৰ কঁৰবাত গোপনে কপিপকা তাঁৰ এডাল এই আঘাতত বাজি উঠিল। সকলো সহিষ্ণুতা সংযম লোৰ সাফৰ ফালি-ছিৰি গ'ল। তাৰ পিতাকৰ দেৱোপম মূৰ্ত্তি তাৰ চকুৰ আগত ভাহি উঠিল। যৌৱনৰ অভিলাষ, অতীত জীৱনত শুনি শুনি বঢ়া কল্পলোকৰ স্বৰ্গীয় আদৰ্শই আহি হৃদয়ত বজ্ৰাঘাত কৰি যেন তাৰ বন্ধ দুৱাৰ মুকলি কৰি দিলে। তাৰ ডাঙৰ কয়, মলিন চকু দুটা বাষৰ চকুৰ দৰে জ্বলি উঠিল। মাইকী মহৰী কেইজনী ভয়তে পলাল। মূৰ্ত্তি দেখি মোনেজাৰে আৰ্ত্তনাদ কৰি বেহাৰাক মাতিলে।

বাহাৰৈ আহিয়ে ভূপেনে বস্ত্ৰ-বাহানিবিনি বান্ধি-চাতি ঠিক কৰিলে। সি যোৱা শুনি কুলীৰ মতা তিৰোতাহ চোতাল ভৰি পৰিল। অবিচাৰ আৰু অবজ্ঞাত ভাবপ্ৰবণতা হীন হোৱা ক্ষুদ্ৰ হৃদয়বিলাক কিয় জানো আজি ভূপেনৰ এই বিদায় পৰত বিয়াকুল হৈ উঠিল। সলোৱে চকুৰ আগে আগে পানীৰ টোপা বিলাকে ভূপেনক বিদায় সম্ভাষণ জনাইছিল। ভূপেনে মেতিয়া ছুয়োহাত জোৰ কৰি "যাওঁদেই, থাকিবি" বুলিলে সিইতৰ বুকৰ মাজখন বৰ শুদা শুদা লাগি উঠিল। বই থকা চকুৰ পানী, সিইতৰ কলা চামবাৰ ওপৰেই বই গ'ল। এনেতে ভূপেনৰ ইমান দিনৰ সহায় কুলীৰ লৰাটোৱে চাহৰ বাকচ এটা লই আহি কলে "বাবু! চাহৰ বাকচটো চোন বই গৈছিল। এই চাহ নহলে অইন চাহতো আপুনি ভাল নাপাব।" এই বুলি আগৰ দৰেই ভূপেনৰ মুখৰ ফালে চাই শেষবাৰ আজিও অল্প মিচিকিয়াই হাঁহিব খুজি হঠাৎ ভৰি দুখনত পৰি হুহু কৰে কান্দিব ধৰিলে "বাবু! আপুনি নহলে ইয়াত ভাল নালাগিব। মোকো লই যাওঁক, মোকো লই যাওঁক।" এই কান্দোনত ভূপেনৰ চকুত পানী ওলাল, কুলীবিলাকেও চকুৰ পানী মছিলে, লগে লগে বাগানৰ মাজৰ স্তব্ধতাই যেন আজি দীৰ্ঘ নিশ্বাস পেলালে। "হায়, নিৰুপিতি জীৱন! কলৈ যাবি! আইন আছে, ধৰি আনি দেউমাৰি কামত লগাব।"

ৰাতি ফাট দিয়াতেই গাৰী আহি মৰিয়নী ষ্টেচনত লাগিল। সকলোৱে চাহ জলপানৰ কাৰণে লৰা লৰি লগাৰে

ভূপেনৰ চকু এইবিলাকৰ ওপৰত পৰিলেও এই বিলাক একেৰেই দেখা নাই। তাৰ আগত সকলো ক'লা পৰি গৈছে। মনে মনে মনত পৰিছে নৱিয়া মাকৰ কথা। মনে মনে তাৰ কল্পনাত ভাহি উঠিব ধৰিছে আসন্ন বিদৰণ দৃশ্যবিলাক। জানোবা সি মাকৰ ডাই মুঠা চে পায় গৈ। নৱিয়া মাক শুই থকা কোঠাটো শুদা হৈ পৰি থকা দেখে জানোবা। যদি সংসাৰৰ ভা-ভু নোপোৱা ভাষেকে তাক দেখি মুখ কাতি কবি কান্দি বিয়াকুল হোৱাহে দেখিব লগীয়া হয়। যদি তাক মাতি মাতিছে মাকে চকু মুদিছে তেন্তে? আকৌ মনত পৰিল, মাক নোহোৱা ঘৰখন নো সি চলাব কেনেকৈ? টক-পইছাৰ কথাই ভাবিব নে ঘৰৰ ফালেই চাব। নিকপায় হৈ তপত চমুনিয়া এটাৰ লগত বুকৰ সকলো দাহ এদিদি ঘড়ী চালে, বেল এবিবৰ ১৬ মিনিট বাকী। সময় নোহোৱা যেন দেখি মন পাতলাবৰ মনে "বিফ্রেচমেণ্ট

প্ৰাচীন কামৰূপৰাজ্যৰ অন্ধযুগৰ বজা আৰু ৰাজবংশ

[১২০০ খৃঃ অৱ পৰা ১৫০০ খৃঃ অঃ লৈ]

—শ্ৰীযুত হৰিনাৰায়ন দত্তবৰুৱা

কামৰূপৰ নৰক বংশৰ পৰা উদ্ভৱ হোৱা পালবংশৰ ৰাজ্য ভগাৰ পাছৰ পৰা (১২০০ খৃঃ অঃ) কোচ বজা বিশ্বসিংহৰ সময়লৈকে (১৫১৫ খৃঃ অঃ) এই তিনিশ বছৰৰ কামৰূপ বাজাৰ বিৱৰণ শৃঙ্খলা মতে ক'তো পোৱা নাযায়; যি অল্প-অচৰপ কোনো কোনো মুছলমান বুৰঞ্জী, আহোম বুৰঞ্জী, ইংৰাজ ভ্ৰমণকাৰীৰ বিৱৰণ, চৰিত্ৰপুথি, বংশাৱলী আৰু পুৰুষ পৰাপৰা চলি অহা কথা আছে, সেইবোৰ মিলাই শৃঙ্খলা লগোৱাও অতি কইকৰ। সেই কাৰণে আমাৰ দেশৰ বুৰঞ্জীত এতিয়ালৈকে সেই সময়ৰ কামৰূপ কথাখিনি ভালদৰে শৃঙ্খলা লাগি হঠাৎ বাবে ইয়াক অন্ধযুগ বুলিব পাৰি।

বুৰঞ্জী

যোৱা ১৯৩০ চনত "দুৰ্ল্লভনাৰায়ন আৰু ধৰ্ম্মপাল" নামে অসম সাহিত্য সভা পত্ৰিকাত (৫ম বছৰৰ ১ম সংখ্যা) এটা প্ৰবন্ধ লিখি উক্ত অন্ধযুগৰ কেইজন মান বজাৰ নাম উল্লেখ কৰিছিলোঁ; আৰু কিছুমান কথা সংগ্ৰহ কৰিও ৰাখিছিলোঁ; কিন্তু অতি আনন্দৰ কথা যে আমাৰ শ্ৰদ্ধাভাজন মাননীয় ৰায়বাহাদুৰ শ্ৰীযুক্ত

কনকলাল বৰুৱা ডাঙৰীয়াই যোৱা ১৯৩৩ চনত Early History of Kamrup প্ৰকাশ কৰি সেই সময়ৰ কথা খিনি সম্ভৱ পৰ শৃঙ্খলা লগাই লিখি আৰু আৱশ্যক মতে বিৰুদ্ধ মতবোৰ খণ্ডন কৰি কামৰূপ বুৰঞ্জীৰ "অন্ধযুগত" পোহৰ পেলাই দিলে।

আমাৰ পূৰ্ব্ব প্ৰকাশিত প্ৰবন্ধ আৰু সংগৃহীত কথাবোৰ লৈ আৱশ্যক মতে মাননীয় ৰায়বাহাদুৰ ডাঙৰীয়াৰ কথা যোগ দি উক্ত "অন্ধযুগৰ" কথা অতি সংক্ষেপে লিখিলোঁ।

প্ৰাচীন গৌড় ৰাজ্যে প্ৰায় সমস্ত আৰ্য্যাৱৰ্ত্ত জুৰিছিল আৰু সি পাঁচ ভাগত বিভক্ত হৈছিল (১) কিন্তু পৰবৰ্ত্তী কালত ই ক্ৰমে ঠেক হৈ যায়। খৃষ্টীয় ৮ম শতিকাত গৌড়ৰ পূৱৰ ভালেখিনি ঠাই কামৰূপ ৰাজ্যৰ ভিতৰত সোমায়। (২) এই সময়ত কামৰূপৰ ভিতৰত বৰ্ত্তমান উত্তৰ আৰু পূৰ্ব্ব-বঙ্গ উৰিষ্যা আৰু বিহাৰৰ উত্তৰৰ কিছু অংশ সুমাইছিল। কিন্তু সৰহ দিন নাথাকিল; শ্ৰীহৰ্ষদেৱৰ লগে লগে কামৰূপৰ পশ্চিমৰ ভালেখিনি ৰাজ্য পুনৰ গৌড়ৰ ভিতৰত সোমায়।

গৌড়, কামৰূপ, কমতা ৰাজ্য।

৭৭৫ খৃঃ অঃত বিহাৰৰ ক্ষত্ৰিয় ৰজা গোপালদেৱে গৌড় জয় কৰি পালবংশৰ ৰাজত্বৰ সূচনা কৰে। এই পালবংশই প্ৰায় ১১৩৯ খৃঃ অঃ লৈ গৌড়ত ৰাজত্ব কৰে। (অনুমান) ৯ম শতিকাত এই গৌড়েই পাঁচ ভাগত বিভক্ত হৈ গৌড় বা পৌণ্ড্ৰবৰ্দ্ধন, দেৱকোট, মহাস্থান, সন্তোষ আৰু ৰংপুৰ নাম ধৰিছিল। (৩)

এই সময়ত গৌড় আৰু কামৰূপ ৰাজ্যৰ সীমা সদায় ঠিক নাথাকিছিল; শক্তিমন্ত কামৰূপ ৰজাৰ দিনত কামৰূপৰ সীমা পশ্চিমে মহানন্দা নদীলৈ আৰু শক্তিমন্ত পালৰজাৰ দিনত গৌড়ৰাজ্যৰ সীমাও পূৱে বৰনদী পৰ্য্যন্ত পাইছিল। গৌড়ৰ পালবংশৰ শেষৰ ৰজা সকল দুৰ্ব্বল আছিল। ১১শ শতিকাৰ শেষত আৰু দ্বাদশ শতিকাৰ আগ ভাগত গৌড়ৰাজ্য নতুনকৈ পাঁচ ভাগত বিভক্ত হোৱা পোৱা যায়। উত্তৰৰাঢ় গৌড়, বাৰেন্দ্ৰগৌড়, (৪) গৌড়মণ্ডল, দক্ষিণৰাঢ় গৌড় আৰু বঙ্গ। গৌড়ৰ ৰামপাল ৰজাই সম্ভৱতঃ নৰকবংশীয় জয়পালক পৰাস্ত কৰি কামৰূপ অধিকাৰ কৰে (১১২৫ খৃঃ অঃ) (৫); আৰু ইয়াক "কামৰূপ মণ্ডল" আৰু "প্ৰাগজ্যোতিষ ভুক্তি" নাম দিয়ে। তিঙ্গদেৱ (১১২৫ খৃঃ অঃ) (৬) কামৰূপ মণ্ডল আৰু প্ৰাগজ্যোতিষ ভুক্তিৰ গৌড়ৰ তলতীয়া ৰজা আছিল। ৰামপালৰ পাছত কুমাৰপাল গৌড়ৰ ৰজা হয়। কামৰূপ ৰজা এই সময়ত স্বাধীন হৈ উঠে।

কুমাৰপালৰ বৈদ্যদেৱ নামে এজন মন্ত্ৰী আৰু সেনাপতি আছিল। সম্ভৱতঃ এওঁ পালবংশী ৰাজকোঁৱৰ আছিল। এওঁ ৰজাৰ আদেশত বঙ্গক গৌড়ৰ অধীন কৰে আৰু কামৰূপৰ ৰজাক দমাবলৈ আহে। বৈদ্যদেৱে তিঙ্গদেৱক মাৰে আৰু কামৰূপ অধিকাৰ কৰে। ইয়াৰ পিছত গৌড় ৰজাই বৈদ্যদেৱক কামৰূপমণ্ডল আৰু প্ৰাগজ্যোতিষ ভুক্তিৰ ৰজা পাতে (অনুমান ১১৩১ খৃঃ অঃ)।

বৈদ্যদেৱ

কুমাৰ পালৰ মৃত্যুৰ পাছত গোপাল ৩য় গৌড়ৰ ৰজা হয়। এই সময়ত বৈদ্যদেৱ স্বাধীন হয় আৰু নিজে "মহাৰাজাধিৰাজ পৰমেশ্বৰ পৰম ভট্টাৰক" উপাধি গ্ৰহণ কৰে।

কামৰূপৰ ৰঙিয়াৰ ওচৰৰ বৈদ্যগড় এৱেই বন্ধা অনুমান হয় আৰু ইয়াতেই সম্ভৱতঃ ৰাজধানী পাতিছিল; কিয়নো বৈদ্যদেৱে এই হংসকুঞ্চিৰ (সম্ভৱতঃ বৰ্ত্তমান হাঁহতলী) পৰা এখন দানপত্ৰ দিছিল (১১৫০ খৃঃ)

বৈদ্যদেৱে অনুমান ১১৫০ খৃঃ লৈ ৰাজত্ব কৰিছিল।

(১) সাৰস্বতাঃ কান্যকুব্জাঃ গৌড়মৈথিলিকোৎ কলাঃ।
পঞ্চ গৌড়া ইতি খ্যাতা বিন্ধ্যস্যোত্তৰ বাসিনঃ॥
"শব্দকল্পদ্ৰুম।"

(২) কামৰূপীৰজা শ্ৰীহৰ্ষদেৱৰ দিনত গৌড়' (প্ৰাচীনগৌড়ৰ পূৱখণ্ড,) ওড্ৰ, কলিঙ্গ আৰু কোশল কামৰূপৰ ভিতৰত সুমাইছিল (৭৪৮ খৃঃ অঃ)।

(৩) "গৌড়ৰ ইতিহাস" ৰজনীকান্ত চক্ৰবৰ্ত্তী।

(৪) গৌড় ইতিহাসত বাৰেন্দ্ৰগৌড়ৰ যি সীমা দিছে তাৰ পৰা অনুমান হয় ইয়াৰ ভিতৰত মৈমনসিংহৰ পশ্চিম অংশ, বগুৰা, দিনাজপুৰ জিলা সুমাইছিল।

(৫) Early History of Kamrup.

(৬) বৈদ্যদেৱৰ তাম্ৰলিপি।

এই সময়ত গৌড়ৰ ক্ষত্ৰিয় পালৰাজবংশ একেবাৰে দুৰ্ব্বল হৈ পৰে। গৌড় ৰাজ্য ভাগি খণ্ড খণ্ড হয় আৰু সেইবোৰত পূৰ্ব্বৰ পালৰাজবংশৰ কোঁৱৰ সকলৰ কোনো কোনোৱে ৰাজত্ব কৰিবলৈ ধৰে।

বৈদ্যদেৱৰ পাছত প্ৰায় ৫০ বছৰ কাল আগৰ কামৰূপী পাল ৰাজবংশৰ কোঁৱৰ সকলেই ঠায়ে ঠায়ে ৰাজত্ব কৰিছিল। অনুমান ১২০০ খৃঃ অঃ ত কামৰূপী পালবংশৰ পৃথু নামে ৰজা হয়। * এওঁ পূৰ্ব্বৰ কামৰূপী পালৰজা সকলৰ ৰাজধানী কামৰূপ নগৰত (উত্তৰ গুৱাহাটীত) ৰাজধানী পাতিছিল। পৃথুৰজাৰ আন নাম জলেশ্বৰ। এওঁ জলপাইগুড়িত "জল্পেশ্বৰ দেৱালয়" স্থাপন কৰিছিল। এই দেৱালয়ৰ ওচৰতে পৃথুৰজাৰ গড়ৰ চিনো আছে। সম্ভৱতঃ মুছলমানে বঙ্গদেশ অধিকাৰ কৰা দেখি পৃথুৰজাই নিজে দেশ ৰক্ষা কৰিবলৈ ইয়াত গড় নিৰ্ম্মাণ কৰিছিল। পৃথুৰজাই ইয়ালৈ ৰাজধানী তুলি অনা বুলিও কিছুমানে অনুমান কৰে।

পৃথু ১২০০—১২২৮ খৃঃ অঃ

বখতিয়াৰে বঙ্গদেশ অধিকাৰ কৰা সময়ত বৰ্ত্তমান জলপাইগুড়িৰ উত্তৰ অংশ, চিকিম আৰু ভোটানত কাম্বোজ নামে এটা ভূটীয়া ৰাজবংশই ৰাজত্ব কৰিছিল। কাম্বোজৰাজ্য আৰু বঙ্গৰ মাজখণ্ড আৰু পূবে বৰনদীলৈ ব্ৰহ্মপুত্ৰ উপত্যকা এই সময়ত কামৰূপ-ৰাজ্য বুলি পৰিগণিত হৈছিল।

পৃথুৰজাৰ সময়ৰ কামৰূপৰ সীমা।

বখতিয়াৰে কাম্বোজ ৰজাৰ বাধাত উত্তৰলৈ যাব নোৱাৰি পূবে আহি কামৰূপ ৰাজ্যত সোমায় (১২০৬খৃঃ অঃ)। পৃথুৰজাই এওঁক পুষ্পভদ্ৰাৰ (পুৰণি বৰনদী) শিল শাকোৰ ওচৰত পৰাস্ত কৰি খেদি পঠায়। ইয়াৰ উপৰি বখ্‌তিয়াৰক কষ্ট দিবলৈ মন কৰি বখতিয়াৰ ফিৰি যোৱা বাটৰ দুয়ো কাষৰ হাবি বনত জুই লগাই দিয়ে; আৰু মানুহবোৰ তুলি পঠায়। এই আক্ৰমণৰ বিৱৰণৰ পৰা জানিব পৰা যায়;—বখতিয়াৰ ফিৰি যাওঁতে পোন্ধৰ দিন লাগিছিল আৰু বাটত মানুহে খাবলৈ এমুঠা চাউল আৰু ঘোৰাই খাবলৈ এক কোছা ঘাঁহ পাবলৈও টান হৈছিল। *

বখতিয়াৰৰ পাছত গিয়াচুদ্দিনে কামৰূপ ৰাজ্য আক্ৰমণ কৰে। পৃথুৰজাই এওঁকো পৰাস্ত কৰি খেদি পঠায় (১২২৭ খৃঃ অঃ)। কিন্তু তাৰ এবছৰ পিছতে নাছিৰ উদ্দিনে কামৰূপ আক্ৰমণ কৰে; এইবাৰ পৃথুৰজা পৰাস্ত হয়। আফগানে কামৰূপ ৰাজ্য অধিকাৰ কৰে।

এই সময়ত বঙ্গদেশত শাসনৰ শৃঙ্খলা লগা নাছিল; নাছিৰ উদ্দিনে দেশ অধিকাৰ কৰিলে কিন্তু কামৰূপ অৰাজক অৱস্থাত থাকিল।

পৃথুৰজাৰ পাছত তেওঁৰ পুত্ৰ সুবাহু ৰজা হয়। সুবাহুৱে পুত্ৰ সুবৰ্ণ পাল (সুবল) ৰ হাতত ৰাজ্য দি সন্ন্যাস গ্ৰহণ কৰে। * সুবৰ্ণপালে কিছুদিন ৰাজত্ব কৰাৰ পিছত তেওঁৰ মন্ত্ৰী সুমতিয়ে † তেওঁক মাৰি সিংহাসন অধিকাৰ কৰে।

পৃথুৰজাৰ পাছৰ বংশধৰ সকল।

এই সময়ত কামৰূপ-কমতাৰ সন্ধ্যা নামৰ এজন ৰজাৰ নাম পোৱা যায়। এওঁ "গৌড়েশ্বৰ" উপাধি লৈছিল। প্ৰবাদ এওঁ ৰঙিয়াৰ ওচৰৰ বৰ্ত্তমান "সন্ধ্যাৰ পাৰ" নামৰ ঠাইত ৰাজধানী পাতিছিল। ‡

সন্ধ্যাৰজা ১২৫০খৃঃ অঃ।

* কামৰূপ অনুসন্ধান সমিতিত থকা ৰতিকান্ত বিৰচিত ৰাজবংশাৱলীত পৃথুৰজা সম্বন্ধে এইদৰে আছে:—

নৰকৰ পুত্ৰ ভোগদত্ত নাম ভৈলা।
তাৰ পৰা ধৰ্ম্মপাল কোমৰ জন্মিলা॥
তান পুত্ৰ ৰত্নপাল নামে নৰপতি।
তাহাৰ তনয় সোমপাল মহামতি॥
কামপাল নামে সোমপালৰ নন্দন।
পৃথপাল ভৈলা তান্ত হন্তে উতপন॥

* Early History of Kamrup—page 220.

* (১) "পৃথুপাল ভৈলা তান্ত হন্তে উতপন॥
সুবাহু ভৈলন্ত ৰাজা সবাৰো শেষত।
তপকৰি আছে হেমালই পৰ্ব্বতত॥
সুবাহুৰ তনয় সুবৰ্ণ নামে আসি।
কলিৰ যুগত ৰাজ্য কৰিলা হৰিষি॥
তাহাঙ্ক অসুয়া কৰি মন্ত্ৰীয়ে মাৰিলা।
জিতাৰি নামত এক ক্ষত্ৰিয় আসিলা॥"
ৰাজবংশাৱলী—ৰতিকান্ত

† কামৰূপৰ বুৰঞ্জী এখনৰ মতে সুবাহুৰ পুত্ৰৰ নাম সুবল, আৰু মন্ত্ৰীৰ নাম সুমতি।

‡ সন্ধ্যাত জন্মিলা পদে ভৈলা সন্ধ্যা নাম।
পাইলা মনোনীত বৰ সিদ্ধি ভৈলা কাম॥

এওঁৰ ৰাজত্ব কালত টগ্ৰলখাঁ (Tughril Khan) মল্লিক যুজবেকে ১২৫৫ খৃঃ অঃত কামৰূপ আক্ৰমণ কৰি ৰাজধানী অধিকাৰ কৰিছিল। কিন্তু বাৰিষা পৰাত ৰজাই আক্ৰমণ কৰি খেদি পঠায়। এই যুদ্ধৰ পাছত সন্ধ্যাৰজাই পশ্চিমলৈ ৰাজধানী তুলি নি কমতা পুৰত পাতে। এই ৰাজধানীৰ নাম অনুসাৰে পৰবৰ্ত্তী কালত ৰাজ্যৰ নাম "কমতা" হোৱা বুলি অনুমান কৰিব পাৰি।

সন্ধ্যাৰজাৰ পাছত তেওঁৰ পুত্ৰ সিন্ধু ৰজা হয়। এওঁক ৰামচৰণ ঠাকুৰে "ৰাজ ৰাজেশ্বৰ" উপাধি দি লিখিছে।

সিন্ধুৰজাৰ বংশধৰ সকল

ৰাজ ৰাজেশ্বৰ সিন্ধুৰ পুত্ৰ ৰূপনাৰায়ণ; এওঁ অতি যশস্বী ৰজা আছিল। ৰূপনাৰায়ণৰ খ্যাতি দেশ দেশান্তৰলৈ গৈছিল বুলি চৰিত পুথিত পোৱা যায়। ৰূপনাৰায়ণৰ পুত্ৰ সিংহধ্বজ।

সিংহধ্বজে কিছুকাল ৰাজত্ব কৰাৰ পিছত তেওঁৰ মন্ত্ৰী প্ৰতাপধ্বজে (আন নাম মাণিক) তেওঁক মাৰি নিজে ৰজা হয়। বিদেশী বুৰঞ্জী লিখক সকলে এওঁলোকৰ নাম উল্লেখ নকৰি কেৱল "কামৰূপৰ ৰজা" বুলিহে উল্লেখ কৰিছে।

প্ৰতাপধ্বজ ১৩০৫খৃঃ

কিন্তু আচলতে ওপৰত উল্লেখ কৰা—ৰজাসকলে নিজক গৌড়েশ্বৰ বুলিহে চিনাকি দিছিল। প্ৰতাপধ্বজে সিংহধ্বজৰ ৰাজধানীত ৰজা নহৈ গৌড়ত (গগৰিয়া) নগৰ পাতি ৰজা হয়। †

প্ৰতাপধ্বজৰ সময়ত শ্ৰীশঙ্কৰদেৱৰ উপৰি পুৰুষ লণ্ডাদেৱ আদি পশ্চিমৰ বীৰ সকল তেওঁৰ ৰাজ্যলৈ আহে। প্ৰতাপধ্বজ ৰজাৰ আদেশত লণ্ডাদেৱে সেনাপতি হৈ গৈ বঙ্গদেশ জয় কৰি প্ৰতাপধ্বজৰ ৰাজ্য বঢ়াইছিল।*

এই সময়ত মৈমনসিংহ জিলাৰ মাজেদি বোৱা ব্ৰহ্মপুত্ৰই কামৰূপৰ দক্ষিণ পূবৰ সীমা আৰু কৰতোয়াই পশ্চিম সীমা আছিল। পূবৰ সীমা বৰনদী থকাই সম্ভৱ। লণ্ডাদেৱে সম্ভৱতঃ মৈমনসিংহ অঞ্চল জয় কৰিছিল। এই যুদ্ধৰ পাছৰ বছৰত চণ্ডীবৰ জন্মে।

ত্ৰয়োদশ শতিকাৰ আগভাগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব অংশত উত্তৰ পাৰে চুতীয় আৰু ভূঞা, দক্ষিণ পাৰে আহোম আৰু কছাৰী বিলাকে ৰাজত্ব কৰিছিল। আহোম আৰু কছাৰী ৰাজ্যৰ সীমা দক্ষিণ পাৰে পোনতে দিখৌ নৈ আছিল। চুতীয়া আৰু ভূঞাঁ ৰাজ্যৰ সীমা সম্ভৱতঃ প্ৰথমতে সুবন শিৰী পাছত ভৰলী নৈ আছিল।

এই সময়ত আহোম ৰাজ সিংহাসনত চুখাম্‌ফা আছিল।

আহোম-কমতা বা কামৰূপৰ সংঘৰ্ষ (অনুমান ১৩০৬ খৃঃ অঃ)

সম্ভৱতঃ প্ৰতাপধ্বজে অন্যায় ভাবে সিংহাসন লোৱা বাবে কমতা ৰাজ্যত বিপ্লৱ ঘটিছিল। চুখাম্‌ফাই এই সুবিধাতে কামৰূপ বা কমতা ৰাজ্য আক্ৰমণ কৰে। প্ৰতাপধ্বজে তেওঁৰ কন্যা ৰজনী কুৱৰীক আহোম ৰজালৈ বিবাহ দি সেই আক্ৰমণ ৰোধ কৰে।

দুৰ্লভ নাৰায়ণ আৰু ধৰ্ম্মপাল [চতুৰ্দ্দশ শতিকাৰ আগভাগ]

প্ৰতাপধ্বজৰ পাছত তেওঁৰ পুত্ৰ দুৰ্ল্লভ নাৰায়ণ ৰজা হয় (অনুমান ১৩২৫ খৃঃঅঃত) কিন্তু এই সময়তে এটা ৰাষ্ট্ৰবিপ্লৱ ঘটে। গৌড়ৰ ক্ষত্ৰিয় পালবংশৰ ৰাজকোঁৱৰ এজনে বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰি জেতাৰি মুনি নাম লৈ বিক্ৰম শিলাত সত্ৰ কৰি আছিল। এই সত্ৰত ছাত্ৰ বিলাকে বিনাখৰচত খাই লিখাপঢ়া শিকিছিল (অনুমান ত্ৰয়োদশ শতিকা †)।

যিহেতু বৰত ভৈলা তাতে একেশ্বৰ।
পৰম ধৰ্ম্মিষ্ঠ সিটো ভৈলা গৌড়েশ্বৰ॥
শঙ্কৰ চৰিত—ৰামচৰণঠাকুৰ।

ৰায়বাহাদুৰ ডাঙৰীয়াই "কামৰূপ নগৰেই সন্ধ্যা ৰজাৰ ৰাজধানী আছিল বুলি লিখিছে; পুৰণা পুথিৰ কোনো উক্তি নথকা বাবে নামৰ সাদৃশ্য দেখি প্ৰবাদ বাক্যকেই আমি মূলত ঠাই দিলোঁ।—লিখক।

মন্তব্য—ৰাজবংশাৱলী, কামৰূপৰ বুৰঞ্জী আৰু শঙ্কৰ চৰিতৰ কথা মিলালে এনে অনুমান হয়—সন্ধ্যাই সুবৰ্ণ পালৰ সুমতি মন্ত্ৰী আছিল। এতেকে পৃথুপালৰ বংশধৰ সুবাহু আৰু সুবৰ্ণ পালৰ ৰাজত্ব কাল বাৰ বছৰ ধৰিলে পৃথুপাল আৰু সন্ধ্যাৰজাৰ ভিতৰত ফাঁক নৰব—লিখক।

† গৌড় (গগৰিয়া) সম্ভৱতঃ জল্পেশ্বৰকেই বুলিছিল।

* "লণ্ডাদেৱ নামে যিটো পুৰুষ অদ্ভুত।
অস্ত্ৰ শস্ত্ৰ শাস্ত্ৰত যে বৰই পাৰ্গত॥
পৰম গম্ভীৰ ধীৰ বুদ্ধিত সাগৰ।
পৃথিবীত নাহিক লণ্ডাদেৱ সমসৰ॥
বঙাল মাৰিবে গৌৰেশ্বৰে পাঠি দিল।
সমস্ত ৰাজ্যক জিনি একত্ৰ কৰিল॥"
—ৰাম চৰণ ঠাকুৰ—শঙ্কৰ চৰিত।

† জেতাৰি মুনি বাৰেন্দ্ৰগৌড়ৰ (প্ৰাচীন কৰ্ণ সুবৰ্ণৰ) সনাতন ৰজা পুত্ৰ আছিল। গৌড়েৰ ইতিহাস—ৰজনী চক্ৰবৰ্ত্তী
ইয়াত খৃঃ অব্দটো ভুল আছে।—লিখক।

সিংহধ্বজ নিহত হোৱাৰ পিছত জেতাৰিয়ে সিংহধ্বজৰ বংশৰ একজন কামৰূপৰ ৰজা পাতিবলৈ চেষ্টা কৰে। প্ৰতাপধ্বজ মৰাৰ পিছতেই তেওঁ ধৰ্ম্মপাল নামৰ ৰাজকোঁৱৰ এজনক (সম্ভৱতঃ সিংহধ্বজৰ বংশৰ) কামৰূপ নগৰলৈ আনি ৰজা পাতে। এই ধৰ্ম্মপালৰ পৰাই কামৰূপত "জেতাৰি বংশৰ" উদ্ভৱ হয় (অনুমান ১৩৩০খ্ৰীঃ অ)। ধৰ্ম্মপালে "জেতাৰি নাম পোৱাৰ পৰা তেওঁক জেতাৰি † মুনিৰ পৌষ্যপুত্ৰ বুলি অনুমান কৰিব পাৰি। এই বংশৰ চাৰিজন ৰজা হৈছিল বুলি ৰতিকান্ত দেৱে ৰাজবংশাৱলীত লিখিছে।

ধৰ্ম্মপালে * ওদন্তপুৰ বা কামৰূপ নগৰত কিছুদিন ৰাজত্ব কৰাত কামাখ্যাৰ শাপত ভটীয়াই যায়। আৰু প্ৰাচীন কৰ্ণ সুবৰ্ণত (বাৰেন্দ্ৰ গৌড়ত) ৰাজধানী পাতি ৰাজত্ব কৰে। ৰংপুৰ বাৰেন্দ্ৰ গৌড়ৰ মধ্য স্থান, গৌড় ইতিহাসৰ পৰা জনা যায়—ধৰ্ম্মপালৰ ৰাজধানী ৰংপুৰৰ ডিমলা থানাৰ অন্তৰ্গত "ধৰমপুৰ" নামে ঠাইত আছিল ‡ মাৰ্টিন চাহাবে ধৰ্ম্মপালৰ 'ধৰমপুৰৰ' এখন নক্সা তেওঁৰ বুৰঞ্জীত আঁকি দেখুৱাইছে। এই কথা ৰাম চৰণ ঠাকুৰৰ গুৰুচৰিতৰ লগতো মিলে।*

গৌৰ ইতিহসাৰ পৰা জানা যায় প্ৰতাপধ্বজ ৰাণী ময়নাৱতীৰ ভগ্নী বনমালাক ধৰ্ম্মপালে বিবাহ কৰিছিল। প্ৰতাপধ্বজৰ কেইবাজনীও ৰাণী আছিল। পৰ্ব্বাৱতী ১মা ৰাণী আছিল—দুৰ্ল্লভ নাৰায়ণ তেওঁৰে পুত্ৰ (শঙ্কৰচৰিত)

ধৰ্ম্মপাল আৰু দুৰ্ল্লভনাৰায়ণ সম্বন্ধত ককাই-ভাই আছিল। গুৰুচৰিতত "বেলেগীয়া ভাই বুলি উল্লেখ কৰিছে। ইয়াৰ পৰা বুজিব পাৰি দুয়ো একেবংশৰ লোক আছিল। ধৰ্ম্মপালক "ধৰ্ম্মনাৰায়ণো বোলে (গুৰুচৰিত) এই সময়ত দুৰ্লভনাৰায়ণে 'গৌড়েশ্বৰ' আৰু ধৰ্ম্মনাৰায়ণে 'কামেশ্বৰ" উপাধি লৈছিল।

ধৰ্ম্মপালৰ পশ্চিমফালে ৰাজ্য বেছিদূৰ বিস্তাৰিত হোৱা নাছিল; বৰ্ত্তমান ৰংপুৰ জিলাৰ কিছু অংশও দুৰ্লভ নাৰায়ণৰ ৰাজ্যৰ ভিতৰত আছিল। ধৰ্ম্মপালে ধৰমপুৰত ৰাজধানী পাতি ৰাজ্য বহলাবলৈ যত্ন কৰোতে দুৰ্ল্লভ নাৰায়ণে বাধা দিয়ে! তেতিয়া দুয়ো পক্ষৰ ভিতৰত ৰণ হয়। কিছু দিন ৰণ চলাৰ পাছত সন্ধি কৰে। ধৰ্ম্মপালে কিছুমান উচ্চ শ্ৰেণীৰ লোক খোজাত দুৰ্লভ নাৰায়ণে চণ্ডীবৰ (লণ্ডাদেৱৰ পুত্ৰ) আদি কায়স্থ বীৰ আৰু কেইজন মান পণ্ডিত ব্ৰাহ্মণ দিয়ে ধৰ্ম্মপালে। এই সকলক পূবৰ ৰাজ্য ৰক্ষা কৰিবৰ নিমিত্তে পুৰণি কামৰূপ নগৰৰ ওচৰত থাকিবলৈ আদেশ দিয়ে।

ধৰ্ম্মপাল আৰু দুৰ্লভ নাৰায়নৰ ৰণ

চণ্ডীবৰ আদি ভূঞা সকলে ধৰ্ম্মপালৰ পূৰ্ব্বৰ ৰাজধানীৰ অলপ পশ্চিম উত্তৰে লেঙা মাণ্ডৰিত বাস কৰে। এই ভূঞা সকলে বৰনদীৰ পৰা হাজোৰ ওচৰলৈ ঠায়ে ঠায়ে বাস কৰিছিল। তেওঁলোকৰ পুৰণি স্মৃতি স্বৰূপে

* 'কামৰূপ বুৰঞ্জীত' ধৰ্ম্মপালৰ ৰাজধানী উত্তৰ গুৱাহাটীৰ ওচৰৰ গোদন্ত পৰ্ব্বতত বুলি উল্লেখ কৰিছে। আন এখন বুৰঞ্জীত আকৌ কুবেৰাচলত বুলি উল্লেখ কৰিছে।

দ্বাদশ শতিকাৰ একেবাৰে শেষত গৌড়ৰ পালৰজা গোবিন্দপালৰ ৰাজধানীৰ নাম ওদন্তপুৰ আছিল। ইয়াৰ পৰা অনুমান হয় জেতাৰি মুনিয়ে পশ্চিমৰ গৌড়ৰজাৰ ৰাজধানীৰ নাম অনুসৰি কামৰূপ নগৰৰ ওচৰৰ কুবেৰাচলত "ওদন্ত পুৰ" নাম দি ৰাজধানী পাতিছিল।

† জিতাৰি নামত এক ক্ষত্ৰিয় আসিলা॥
ভক্তি ভাবে মাধৱক সেৱি ৰজা ভৈলা।
কুবেৰাচলত পাটকৰি ৰাজ্য খাইলা॥
"জিতাৰিয়ে' আদি ৰামচন্দ্ৰ ভৈলা অন্ত।
এহিমতে চতুৰ্থ পুৰুষ ভৈলন্ত॥ ৰাজবংশাৱলী—ৰতিকান্ত

"জিতাৰি" উপাধিয়ে ধৰ্ম্মপালকহে বুজাইছে।—লিখক।

কামৰূপৰ বুৰঞ্জী এখনত জিতাৰিক গৌড়ৰ আৰু আন এখনত দ্ৰাবিড়ৰ বুলিছে। পালৰাজবংশৰ দাক্ষিণাত্যৰ পৰা আহি বিহাৰত ৰাজত্ব কৰিছিল। এইকাৰণেই ধৰ্ম্ম পালক দ্ৰাবিড়ৰ বোলা হৈছে বুলি অনুমান হয়।

‡ Histoty of India by M. Martin—vol III, Page 184

* দুৰ্লভনাৰায়ণৰ লগত ধৰ্ম্মপালে সন্ধি কৰি ৰাজধানীলৈ ঘূৰি অহাৰ কথা ৰামচৰণ ঠাকুৰে লিখিছে—

"নৌকাত চৰিয়া ব্ৰহ্মপুত্ৰ উজালান্ত
কতো দিনে আপুনাৰ ৰাজ্যক পাইলন্ত।
ঘৰ ঘাটে গিয়া পাড়ে নৌকা চপাইলন্ত।
তাম্ৰধ্বজে শুনিলেক পিতৃ আসিলন্ত॥—শঙ্কৰচৰিত

'লেঙাই গাওঁ' 'মাগুৰি', ভোমাৰ বাৰি (ভূঞাৰ বৰি, ডিমৌ (ডিম্‌লা), বৰহাটা আদি কিছুমান গাৱৰ বৰ্ত্তমানেও নাম আছে।

ধৰ্ম্মপাল আৰু দুৰ্ল্লভ নাৰায়ণ অলপ দিন মিত্ৰ হৈ থকাৰ পাছতেই দুয়োৰো ভিতৰত অনুমান ৰাজ্যৰ সীমালৈ কাজিয়া হয়। দুৰ্ল্লভ নাৰায়ণে চণ্ডীবৰ আদি ভূঞা সকলক হাত কৰি সমস্ত কামৰূপ ৰাজ্যৰ একছত্ৰী ৰজা হবলৈ যত্ন কৰে। কিন্তু কৃতকাৰ্য্য নহৈ শেষত তেওঁ শিৰোমণি ভূঞা চণ্ডীবৰক সখি কৰিম বুলি লেঙা মাগুৰিৰ পৰা ছল কৰি মাতি নিয়ে আৰু প্ৰায় এবছৰৰ পিছতহে তেওঁক মুকলি কৰি দিয়ে।* চণ্ডীবৰ কমতাৰ পৰা ঘূৰি আহি অলপ কেদিন মান লেঙা মাগুৰিত থাকে, তাৰ পিছত বৰনদী পাৰ হৈ ৰৌতাত বাস কৰেগৈ। তাৰ পিছত ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে কিছু ঠাইৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি শিৰোমণি ভূঞা হয়। § চণ্ডীবৰ দক্ষিণ পাৰে টেমুৱানীত ৰাজধানী পাতে, তেওঁৰ ভায়েক গদাধৰ উত্তৰ পাৰে ৰৌতাত থাকি বিশ্বনাথলৈ অধিকাৰ বহলায় (অনুমান ১৩৩৫খৃঃ অঃ) সিফালে দুৰ্ল্লভ নাৰায়ণৰ ভাৰ্য্যা ময়নাৱতীয়ে চক্ৰান্ত কৰি ধৰ্ম্মপালক বধ কৰায়। ধৰ্ম্মপাল মৰাৰ পিছত দুৰ্ল্লভনাৰায়ন কামৰূপ কমতাৰ একছত্ৰী ৰজা হৈ উঠে। কিন্তু তেওঁ নিজক "গৌড়েশ্বৰ" বুলিহে পৰিচয় দিয়া পোৱা যায়। এওঁৰ দিনত কেইবা জনো বিখ্যাত কবিৰ জন্ম হয়। এই কবি সকলে নিজ নিজ গ্ৰন্থৰ ভিতৰত দুৰ্ল্লভ নাৰায়ণ সম্বন্ধে তলত লিখা মতে বৰ্ণনা কৰিছে :—

(১) হৰিহৰ বিপ্ৰ...

"জয় জয় নৃপতি দুৰ্ল্লভনাৰায়ন ৰাজা
কমতা পুৰে ভৈলা বিৰবৰ।
সপুত্ৰ বান্ধবে যেবে সুখে ৰাজ কৰন্তোক
জিৱন্তোক সহস্ৰ বৎসৰ॥
তাহান ৰাজ্যত যত সাধুজন মনোমত
অশ্বমেধ পদমধ্যে সাৰ।
বিপ্ৰ হৰি হৰ কৰি হৰিৰ চৰণ সেবি
পদবন্ধে কৰিলো প্ৰচাৰ॥"—'বভ্ৰুবাহন যুদ্ধ।'

(২) হেম সৰস্বতী—

কমতামণ্ডল দুৰ্ল্লভনাৰায়ণ
নৃপবৰ অনুপম।
তাহান ৰাজ্যত ৰুদ্ৰ সৰোচতি
দেৱজানি কন্যা নাম॥
তাহান তনয় হেম সৰোচতি
ধ্ৰুবাৰ অন্যু ভাই।
পদবন্ধে তেহু প্ৰচাৰ কৰিলা
বামণ পুৰাণ চাই॥"—"প্ৰহ্লাদচৰিত।"

(৩) কবিৰত্ন সৰস্বতী (কায়স্থ পণ্ডিত)—

"নৃপ শিৰোমণি, দেৱ মহামানি, দুৰ্লভ নাৰায়ণ ৰাজা।
নিতে পুত্ৰবতে, পালিয়া সততে, পৃথিবীৰ যত প্ৰজা॥
তাহান তনয়, ভৈলা ধৰ্ম্মময়, ইন্দ্ৰ নাৰায়ণ দেৱ
মহাবীৰ ধীৰ, স্বভাৱে গম্ভীৰ, নিতে কৃত্য হৰিদেৱ॥
নিজ বাহু বলে, পাই অবিকলে, অখণ্ড মহীমণ্ডল।
যত খাটে নামি, সততে প্ৰণামি, বিপক্ষে নৃপসকল॥
যত সৰ্ব্বক্ষণ, ইন্দ্ৰ নাৰায়ণ, বৰদেন্ত সদাশিৱ।
হৌক নৰেশ্বৰ পঞ্চ গৌড়েশ্বৰ, পিতা-পুত্ৰে চিৰঞ্জীৱ॥
ছোটশিলা নাম, আছে একগ্ৰাম, যত গ্ৰাম মধ্যে সাৰ।
আছিল তথাত, জগত প্ৰখ্যাত, চক্ৰপাণী সীকদাৰ॥
পটু নৰবৰ, কায়স্থ প্ৰবৰ, ধৰ্ম্মৱন্ত মহাযশী।
পণ্ডিত তিলক, কুল প্ৰকাশক, নিষ্কলঙ্ক যেন শশী॥

* * * *

নিজগুণ বলে, লভিল সকলে, ধন, ধান সতকাৰ।
নৃপতি প্ৰধান, দুৰ্লভ নাৰায়ণ, প্ৰশংসয় বাৰেবাৰ॥

* * * *

তাহান তনয়, অতি শুভ ময় কবিৰত্ন শুভ সৰস্বতী।
দ্ৰোণ পৰ্ব্ব পদ, জয়দ্ৰথ বধ, কৌতুহলে নিগদতি॥"
—"জয় দ্ৰথ বধ।"

* গুৰু চৰিত।

§ চণ্ডীবৰৰ লগত, শ্ৰীধৰ, শ্ৰীপতি, সৰস্বতী আৰু চন্দ্ৰভূঞা বৰ্ত্তমান কামৰূপ জিলাতে থাকে।

পাছৰ কবি সকলে দুৰ্লভনাৰায়ণ সম্বন্ধে লিখা :—

শ্ৰীমাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰে লিখিছে :—

প্ৰতাপধ্বজ নামে তান মহামন্ত্ৰী।
লাহাৰিয়া নামে তান আছিলেক পিতৃ॥
কায়স্থ কুলত তেহে মহা বুদ্ধিমন্ত।
সিংহধ্বজে মাৰি তান ৰাজ্যক লৈলন্ত॥
প্ৰতাপধ্বজ যে ভৈল সিটো নগৰৰ ৰাজা।
মহাধৰ্ম্ম প্ৰতি পাল কৰে নিতে প্ৰজা॥
পাৰ্বতী নামে আছে প্ৰতাপৰ ভাৰ্য্যা।
দুৰ্লভ নাৰায়ণ ভৈল তান গৰ্ভে ৰাজা॥

* * *

গন্ধেশ্বৰে ৰাজ্য পাচে পাটিলা কতো দিন।
ধৰিলন্ত সিটো মহা নৃপতিৰ চিন॥
তান পাশে খাটে চণ্ডীবৰ মহামতি।
দুৰ্লভ নাৰায়ণ দায়া কৰন্ত সম্প্ৰতি॥
"শঙ্কৰ চৰিত"

শ্ৰীশঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰৰ শিষ্য ভূষণ দ্বিজে লিখিছে—

দুৰ্লভ নাৰায়ণে মহা আনন্দ লভিলা।
চণ্ডীবৰক দেবীদাস নাম দিলা॥

* * *

কমতে শ্বৰৰ দেখি হৰিষ মিলিল।
ভাল গ্ৰামে বসিওক বুলি পঠাইলা॥
"গুৰু চৰিত।"

উত্তৰ পূব ভাৰতত সেই সময়ত "গৌৰেশ্বৰ" উপাধিটো সকলো ৰজাৰ অতি প্ৰিয় হৈ উঠিছিল। সেই কাৰণে "পাল," সেন আনকি আফগান ৰজা সকলৰ কোনো কোনোৱেও "পঞ্চগৌৰেশ্বৰ" উপাধি লৈছিল। *

এই কাৰণে আমাৰ দুৰ্ল্লভ নাৰায়ণ কামৰূপ-কমতাৰ ৰজা হলেও কোনো কোনো কবিয়ে তেওঁক "গৌৰেশ্বৰ" উপাধি দি সন্মান কৰিছিল। এওঁক আৰু ধৰ্ম্মপালক গৌৰেশ্বৰ উপাধি দিয়াৰ আৰু এটা সুবিধা হৈছিল যে তেওঁলোক প্ৰাচীন গৌড়ৰ পালৰজাৰ বংশধৰ আছিল।

আহোমৰজা চুখাংফালৈ দিয়া কমতা কুঁৱৰী ৰজনীৰ চাওপুলাই নামে এটি পুত্ৰ জন্মে; চুখাংফাৰ মৃত্যুৰ পিছত এওঁ বিদ্ৰোহী হৈ কমতালৈ যায়। কমতাৰাজ দুৰ্ল্লভ নাৰায়ণে চাওপুলাইক লৈ আহোম ৰাজ্য আক্ৰমণ কৰি চাৰিং পায়হি; তাৰ পিছত সন্ধি কৰি চাওপুলাইক চাৰিঙৰ ৰজা পতাই ফিৰি যায় (১৩৪০)।

আহোমৰ লগত সংঘৰ্ষ

দুৰ্ল্লভ নাৰায়ণৰ পিছত তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ ৰজা হয়। তেওঁ সিমান প্ৰখ্যাত নাছিল। দুৰ্ল্লভ নাৰায়ণৰ পুত্ৰ সুচাৰুচান্দ। সুচাৰুচান্দে দুৰ্ল্লভেন্দ্ৰ নাম গ্ৰহণ কৰে। দুৰ্ল্লভেন্দ্ৰৰ সময়ত বঙ্গদেশৰ শাসনৰ কিছু শৃঙ্খলা লগা যেন অনুমান হয়। বঙ্গৰ আফগান ৰজা সকলে চাৰিওফালে ৰাজ্য জয় কৰিবলৈ পুনৰ যত্ন কৰে।

ইন্দ্ৰনাৰায়ণ, দুৰ্লভেন্দ্ৰ নাৰায়ণ

ধৰ্ম্মপালৰ পুত্ৰ তাম্ৰধ্বজ। তেওঁ পিতৃৰ শেষ ৰাজধানী ধৰ্ম্মপুৰত ৰাজত্ব কৰাৰ প্ৰমাণ এতিয়ালৈকে পোৱা হোৱা নাই। কামৰূপৰ বুৰঞ্জী মতে এওঁৰ নাম ৰত্ন পাল; আৰু এওঁ উজাই আহি বৰ্ত্তমান দৰঙ জিলাৰ কন্যকাগ্ৰামত বাস কৰে।* এওঁৰ এজন ভায়েক আছিল এওঁৰ লগত কন্দলি উপাধিৰ ব্ৰাহ্মণ অহা অনুমান হয়। † এই কন্দলি উপাধিৰ ৰুদ্ৰ কন্দলিয়ে দ্ৰোণ পৰ্ব্বত একখণ্ডৰ পদ কৰে।

১১ ধৰ্ম্মপাল আৰু শিৰোমণি ভূঞা

* (১) এডু মিশ্ৰকাৰিকা—"পঞ্চগৌড়ে তদা সম্ৰাট বিশ্বক্‌সেনো মহাব্ৰতঃ।" (বিশ্বকসেন ওৰফে বিজয় সেন)

(২) কবীন্দ্ৰ পৰমেশ্বৰে হোচেনচাৰ বিষয় লিখিছে :—
"পঞ্চগৌড়েতে যাৰ পৰম সুখ্যাতি।"

(৩) যশোৰাজ খাই লিখিছে :—
"শ্ৰীযুত হসন জগত ভূষণ
পঞ্চ গৌৰেশ্বৰ ভোগ পুৰন্দৰ॥"

এই সম্বন্ধে "গৌড়েৰ ইতিহাস" লিখক শ্ৰীযুত ৰজনীকান্ত চক্ৰবৰ্ত্তী মহাশয়ে লিখিছে, যে পৰবৰ্ত্তী কালত "গৌৰেশ্বৰ" উপাধিটো এনে সন্মানজনক হৈ উঠিছিল যে ভূমি শূন্য ৰজাইও নিজক "পঞ্চগৌৰেশ্বৰ" বুলি গৌৰৱ কৰিছিল।"

* কামৰূপৰ বুৰঞ্জী। ৪ পৃষ্ঠা।

† "শ্ৰীমন্ত তাম্ৰধ্বজ অনুজে সহিতে।
বৃদ্ধৰ সমান ধৰ্ম শিশু বয়সতে॥
বুদ্ধিত গম্ভীৰ ক্ষেমাৱন্ত সুভায়॥
যাৰ যশক সৰ্বজনে প্ৰশংসয়।
বিষ্ণুৰ ভকত মহামায়াৰ সেৱক।
পুত্ৰৰ সমান কৰি দৰিদ্ৰ পালক॥
দুই ভাইৰ স্নেহ যেন ৰাম-লক্ষ্মণৰ।
সৱান্ধৱে জীৱন্তক সহস্ৰ বৎসৰ॥"
ৰুদ্ৰকন্দলি—দ্ৰোণপৰ্ব্ব-সাত্যকিৰ প্ৰবেশ

তাম্রধ্বজ উজাই অহা সময়ত টেম্বুৱানীত চণ্ডীবৰে শিৰোমণি ভূঞাৰাজ্য স্থাপন কৰে। চণ্ডীবৰৰ পাছত তেওঁৰ প্ৰথম পুত্ৰ ৰাজধৰ টেম্বুৱানিত আৰু ২য় পুত্ৰ গদাধৰ উত্তৰপাৰে ৰৌতাত থাকি দেশ শাসন কৰে।

তাম্রধ্বজৰ পুত্ৰ সোমপাল। সোমপালৰ পুত্ৰ ৰামচন্দ্ৰ বা প্ৰতাপসিংহ। ৰামচন্দ্ৰে গদাধৰ ভূঞাক পৰাস্ত কৰি বৰনদীলৈকে ৰাজ্য বহলায়; আৰু তেওঁৰ বিশ্বনাথৰ উত্তৰে এটা গড় নিৰ্ম্মাণ কৰি (প্ৰতাপপুৰ) ৰাজধানী পাতে *। এইগড় পৰবৰ্ত্তী কালৰ প্ৰতাপগড় নামে খ্যাত হয়।

প্ৰতাপসিংহৰ পাছত তেওঁৰ পুত্ৰ আৰিমত্ত ৰজা হয়। এই দুইজন ৰজাৰ দিনত শিৰোমণি ভূঞা সকলে উত্তৰ পাৰৰ ৰাজ্য উদ্ধাৰ কৰিব পৰা নাছিল, তেওঁলোকে নগাঁও অঞ্চলতে শিৰোমণি ভূঞালি কৰিছিল কিন্তু ইয়াতো তেওঁলোকে নিৰ্বিবাদে থাকিবলৈ নাপালে। আৰিমত্তৰ পুত্ৰ জোঙ্গাল বলহুৱে শিৰোমণি ভূঞাৰ সহৰখিনি ঠাই অধিকাৰ কৰে। জঙ্গলবলহুৱে বেছি দিন ৰাজত্ব কৰিবলৈ নাপালে। অনুমান ৫।৬ বছৰৰ পিছতেই কছাৰীৰ হাতত মৰা পৰে। জঙ্গলবলহুৰ পাছত শিৰোমণি ভূঞাৰ ওপৰত কছাৰীৰ প্ৰভাৱ পৰে।

এই সময়ত মহেন্দ্ৰ কন্দলি আদি কিছুমান কবিৰ জন্ম হয়। মহেন্দ্ৰ কন্দলিয়ে কছাৰী ৰজাৰ প্ৰীতিৰ অৰ্থে সপ্তকাণ্ড ৰামায়ণ কামৰূপী ভাষাত ৰচনা কৰে।

মহেন্দ্ৰ কন্দলি

তাৰ পিছত শিৰোমণি ভূঞা কুসুম্বৰে সমস্ত ভূঞাক আহ্বান কৰি কছাৰীৰ লগত ৰণ কৰে। আৰু তেওঁলোকক খেদি পূৰ্ব্বৰ সীমা কপিলীলৈ ৰাজ্য বহলায় † ইয়াৰ উপৰি উত্তৰ পাৰে আৰিমত্তৰ বংশধৰ সকল নিস্তেজ হোৱা দেখি শিঙৰি, গাংমৌ আদি ঠাই অধিকাৰ কৰি আকৌ শিৰোমণি ভূঞাৰ অধিকাৰ বহলায়। §

আৰিমত্তৰ জৰ সমন্ধে প্ৰবাদ আছে, যে এদিন ৰামচন্দ্ৰ ৰজাই তেওঁৰ সগৰ্ভা ভাৰ্য্যাৰ সৈতে ব্ৰহ্মপুত্ৰত স্নান কৰি থাকোঁতে ৰাণী নদীত ভাহি যায়; আৰু কিবা স্বৰূপে নীলাচলত গৈ উঠে। নীলাচলৰ এজন ব্ৰাহ্মণে এই ৰাণীক পালন কৰাত শুভ ক্ষণত আৰিমত্তৰ জন্ম হয়। ৰামচন্দ্ৰৰ এই ৰাণী শূদ্ৰাণী আছিল বুলি কামৰূপৰ বুৰঞ্জীত উল্লেখ কৰিছে।

আৰিমত্ত ১৩৬০ খৃঃ অঃ

আৰিমত্তই ডাঙৰ হৈ কিছুমান সৈন্য গোটাই লয় আৰু কামৰূপৰ কিছু ঠাই অধিকাৰ কৰে। তাৰপিচত তেওঁ কমতা ৰজাৰ বিপক্ষে ৰণ কৰে। অলপ দিন যুদ্ধৰ পাছতেই তেওঁ দুৰ্ল্লভেন্দ্ৰক নিহত কৰে। *

আৰিমত্তই বৈদ্যগড় § মেৰামত কৰি তাত ৰাজধানী পাতে। দুলভেন্দ্ৰৰ ফিঙুৱা নামে এজন ভতিজাক আছিল। এওঁ নলবাৰী ষ্টেশ্যনৰ ৫ মাইল মান দক্ষিণে সোন কুৰিহা নামে গাওঁত ৰাজধানী পাতি কামৰূপৰ উত্তৰ অঞ্চল শাসন কৰিছিল। এওঁ নলবাৰীৰ ৮ মাইলমান উত্তৰে আৰু পাঠশালা ষ্টেশ্যনৰ ৩ মাইলৰ মান উত্তৰপূবে দুটা গড় কৰি

ফিঙুৱাৰ লগত ৰণ

* গদাধৰ দৰঙ্গৰ পৰা গৈ বৰ্ত্তমান কামৰূপ জিলাৰ টিহু নৈৰ কাষত স্বাধীন ভাবে বাস কৰিছিল।

† কুসুমেও এককথা কৰিলন্ত পাছে ॥
কাজেলীক সীমা কৰি ৰাজ্য মাৰিলন্ত।
চোৰিয়া পঠাই বাৰ্ত্তা কুসুমে লৈলন্ত ॥
কুসুমক আগ কৰি চলিলন্ত পাছে।
কপিলীৰ মুখত কছাৰী বসি আছে ॥
দুই ভিতি হুয়া তাক বেঢ়িলেক যাই।
* * * * *
উষা সময়ত সবে কছাৰীক বেঢ়ি।
চতুৰ্ভিতে কাটিবে লাগিলা দিয়া গেৰি
শঙ্কৰ চৰিত—ৰামচৰণ ঠাকুৰ

§ শিৰোমণি ভূঞাৰ ৰাজ্য সম্বন্ধে ইতি পূৰ্ব্বে আমি অসম সাহিত্য পত্ৰিকাত কেবাটাও প্ৰবন্ধ লিখিছিলোঁ। ইয়াত বেছি কথা উল্লেখ কৰা নহল।

* কামৰূপৰ বুৰঞ্জী।

§ যি ঠাইত আৰিমত্তে বান্ধিলা নগৰী
বৈদ্য গড় বুলি তাকে কহে নৰ নাৰী
এতেকে প্ৰতাপপুৰ বান্ধিলা নগৰ
অদ্যাপিও আছে বিশ্ব নাথৰ উপৰ
ত্ৰয়োদশ ষষ্টি সবে ৰাজ্যক ভুঞ্জিলা।
ত্ৰয়োদশ ষষ্টিশক ইংৰাজী লিখক।
ৰাজাবংশাবলী ৰতিকান্ত।

কিছু কিছু সৈন্য ৰাখি ভোটৰ আক্ৰমণৰ পৰা দেশ ৰক্ষা কৰিবলৈ দিহা কৰিছিল বুলি অনুমান হয়; এই গড় দুটাক আজি কালিও ফিঙুৱা গড় বোলে। † ফিঙুৱাই খুড়াক দুৰ্ল্লভেন্দ্ৰক আৰিমত্তে মাৰা সংবাদ পাই তেওঁক আক্ৰমণ কৰে। দুয়োৰো ভিতৰত একেৰাহে কেবা মাহো যুদ্ধ চলে। কামৰূপৰ কিছুমান ভূঞাই ফিঙুৱাৰ ফালে যোগ দিয়ে। ফিঙুৱাই ভালেমান দিন ৰণ কৰি জিকিব নোৱাৰি শেষত চক্ৰান্ত কৰি আৰিমত্তক বধিবলৈ যত্ন কৰে *। কিন্তু পাছত ধৰা পৰি আৰিমত্তৰ হাতত মৰা পৰে।

আমি ওপৰত দুৰ্লভনাৰায়ণৰ পিতৃ প্ৰতাপধ্বজে সিংহধ্বজক মাৰি কামৰূপ কমতাৰ সিংহাসন লোৱাৰ কথা কৈ আহিছোঁ। ইয়াৰ পোতক তুলিবৰ অৰ্থে জেতাৰি মুনিয়ে সিংহধ্বজৰ বংশৰ (অনুমান পুত্ৰ) ধৰ্ম্মপালক ৰজা পতাৰ কথাও উল্লেখ কৰা হৈছে। এই ধৰ্ম্ম পালৰে সম্বন্ধীয় ভাই বোৱাৰী (একেবংশৰ) দুৰ্ল্লভনাৰায়ণৰ ভাৰ্য্যাই বধ কৰে। পাছত দৈবক্ৰমে এই ধৰ্ম্মপালৰ পৰিনাতিৰ পুত্ৰ আৰিমত্তৰ হাতত দুৰ্ল্লভ নাৰায়ণৰ নাতিও ধ্বংস হ'ল। এইদৰে এটা (মূলত) ক্ষত্ৰিয় ৰাজবংশৰ ভিতৰত প্ৰায় এশ বছৰ মাৰা-কাটা চলে।

ইয়াৰ পিছত আৰিমত্তে বৰনদী পাৰ হৈ বৰ্ত্তমান দৰঙত সোমায়। এই সময়ত তেওঁৰ পিতৃ প্ৰতাপসিংহ বা ৰামচন্দ্ৰ সেই অঞ্চলৰ ৰজা আছিল। আৰিমত্তে নিজ পিতৃ বুলি চিনি নাপাই তেওঁৰ ৰাজ্য আক্ৰমণ কৰাত দুয়োৰো ভিতৰত ৰণ হয়। ৰামচন্দ্ৰ আৰিমত্তৰ হাতত মৰা পৰে। পিছত আৰিমত্তে মাকৰ পৰা ৰামচন্দ্ৰৰ পৰিচয় পাই মনত অতি কষ্ট পায়; আৰু সেই অৰ্থে অনেক দান দক্ষিণা কৰে।

আৰিমত্তৰ দিগ্বিজয় আৰু পিতৃহত্যা।

আৰিমত্তৰ আন নাম গজাঙ্ক। এওঁ প্ৰতাপ পুৰত ৰাজধানী পাতি কিছুকাল ৰাজত্ব কৰিছিল। আৰিমত্তৰ নাম দৰঙ্গ, নগাওঁ, শিৱসাগৰ, আদিত যিদৰে বৰ্ত্তমান সময়লৈ চলি আহিছে আৰু তেওঁৰ নানা কাহিনী যেনেকৈ লৰাৰ পৰা বুঢ়ালৈ জনাজাত, তাৰ পৰা অনুমান হয়, আৰিমত্তে শেষকাল ডোখৰ প্ৰতাপগড়তেই কটাইছিল; পাছত তেওঁৰ পুত্ৰ ৰত্নসিংহক ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা ৰাজ্য আৰু ২য় পুত্ৰ জঙ্গল বলহুক দক্ষিণ পাৰৰ ৰাজ্য ভাগ কৰি দি বাকী দিন কেইটা ব্ৰহ্মপুত্ৰৰ পাৰত তপস্যা কৰি থাকিবলৈ ধৰে।

ৰত্ন সিংহে প্ৰতাপপুৰত ৰাজত্ব কৰিছিল; কিন্তু তেওঁ মাজুলীত ৰত্নপুৰ নামে এখন নগৰ পাতি কিছুদিন আছিল (১৩৮৫ খৃঃ অঃ)। ৰত্ন সিংহৰ আন নাম শুকৰাঙ্ক। জঙ্গল বলহুৱে কপিলীৰ ওচৰত (বৰ্ত্তমান ৰজাৰ ওচৰত) এটা গড় কৰি ৰাজত্ব কৰিবলৈ ধৰে। প্ৰবাদ আছে যে এসময়ত জঙ্গল বলহুৱে চিকাৰ কৰি ফুৰোঁতে ব্ৰহ্মপুত্ৰৰ পাৰত (কাজলিমুখত) তপস্যা কৰি থকা আৰিমত্ত ভুলক্ৰমে মৰা পৰে। এই ঘটনাৰ পৰা অনুমান হয় যেন নিয়তিয়ে আৰিমত্তৰ পিতৃ-হত্যাৰ প্ৰতিশোধহে ললে।

ৰত্নসিংহ আৰু জঙ্গল বহুল [চতুৰ্দ্দশ শতিকা]

ইয়াৰ পিছত জঙ্গল বলহুৱে অলপ দিন ৰাজত্ব কৰোঁতেই কছাৰীৰ লগত ৰণ হয়। জঙ্গল বলহু ৰণত হাৰি পলাই ফুৰে আৰু পিছত কছাৰীয়ে তেওঁক জোঙাল বাঁহেৰে খুচি মাৰে। ইয়াকো পিতৃহত্যাৰ প্ৰায়শ্চিত্ত বুলিব পাৰি। জঙ্গলবলহুৰ বীৰত্বৰ বিষয় নানা উপখ্যান আমাৰ দেশত প্ৰচলিত আছে। প্ৰবাদ পিতৃহত্যাৰ পাছৰ পৰা তেওঁ হীন বীৰ্য্য হৈ গৈছিল।

আৰিমত্তৰ ১ম পুত্ৰ শুকৰাঙ্কে ৰত্নসিংহ নাম লৈ প্ৰতাপ পুৰত ৰাজত্ব কৰাৰ কথা ওপৰত কোৱা হৈছে। শুকৰাঙ্কই পুতেক সুতৰাঙ্কৰ হাতত ৰাজ্য ভাৰ দি অশ্বক্ৰান্তত তপস্যা কৰি বাকী জীৱন কটায়। সুতৰাঙ্কই প্ৰতাপগড় মেৰামত কৰি তাত ৰাজধানী পাতি দেশ শাসন কৰে। *

আৰিমত্তৰ বংশধৰ সকল।

শুকৰাঙ্ক আৰু সুতৰাঙ্কৰ সময়ত কামৰূপ-কমতাৰ

† আজি কালিও ১ম টোক ফেঙুৱাগড় আৰু ২য় টোক কেৱল ফিঙুৱা বোলে।

* প্ৰবাদ :—ফিঙুৱাই আৰিমত্তৰ ৰাণী এজনীক হাত কৰিছিল; আৰু তেওঁৰ দ্বাৰাই আৰিমত্তক হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল।

* An account of Assam—Dr John Peter Wade.

পশ্চিম ফালৰ ভূঞা সকল স্বাধীন হৈ উঠে। সুতৰাঙ্কৰ পাছত তেওঁৰ পুতেক মৃগাঙ্ক প্ৰতাপপুৰত ৰজা হয়। এওঁ সমস্ত কামৰূপ-কমতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ যত্ন কৰে।

চুদাংফা বা বামুণী কোঁৱৰৰ দিনত টাওচুলাই নামে কোঁৱৰ এজন পলাই গৈ মৃগাঙ্কৰ আশ্ৰৱ লয়। আহোম ৰজাই খোজাত তেওঁ পঠাই নিদিলে। আহোমৰজাই অপমান বোধ কৰি তেওঁৰ ৰাজ্য আক্ৰমণ কৰিবলৈ বৰগোঁহাইক এদল সৈন্য দি পঠায়। এই সময়ত বঙ্গদেশৰ নবাব এজনেও কমতা আক্ৰমণ কৰে। তেতিয়া কমতাৰ ৰজাই আহোম সেনাপতিৰ হাতত ভজনী নামৰ কুঁৱৰী এজনী আহোম ৰজালৈ দি মিত্ৰতা কৰে। আৰু বৰগোঁহাইৰ সৈতে লগ হৈ নবাবৰ সৈন্য খেদি পঠায় (অনুমান ১৩৯৯ খৃঃ অঃ)।

আহোমৰ লগত মিত্ৰতা

মৃগাঙ্ক অপুত্ৰক আছিল। তেওঁ অনুমান ১৪০০ খৃঃ অব্দত দৰঙ্গৰ এজন পণ্ডিত ব্ৰাহ্মণক ৰাজ্য দান কৰে। † এই ব্ৰাহ্মণে "জয়সিংহ" নাম লৈ ৰাজ্যশাসন কৰিবলৈ আৰম্ভ কৰোঁতেই দৰঙ্গৰ ভূঞা সকল বিদ্ৰোহী হৈ উঠে আৰু তেওঁক খেদি সমস্তৰাজ্য ভাগ কৰি লৈ ভূঞা সকলে স্বাধীন ভাবে ৰাজ্য শাসন কৰিবলৈ ধৰে।

জয়সিংহ কেৱল ৩বছৰ ৰাজত্ব কৰিছিল। ১৪০০খৃঃ অব্দৰ পিছত আৰিমত্তৰ বংশৰ নাম পোৱা নাযায়। *

কমতাৰ ৰজা দুৰ্লভনাৰায়ণৰ পাছৰ পৰা নামনি অঞ্চলৰ ভূঞা সকল প্ৰায় স্বাধীন ভাবে ৰাজ্য কৰিছিল পিছত আৰিমত্তৰ সময়ত ১৩৬০খৃঃ অঃ পুনৰ কিছুকাল (প্ৰায় কুৰি বছৰ) তেওঁৰ অধীন হয় কিন্তু আৰিমত্ত মৰাৰ পিছতে নামনিৰ ফালৰ ভূঞা সকলে স্বাধীন ভাবে বাস কৰিবলৈ ধৰে। ‡

ভূঞাৰ প্ৰভাৱ (১৩০০-১৫৫০

জঙ্গলবলহুৰ হত্যাৰ পিছত নগাওঁ অঞ্চলত কছাৰীৰ প্ৰভাৱ বেছি হৈ উঠে। মৃগাঙ্কৰ পাছত ১৪০০খ্ৰীঃ অব্দ দৰঙ্গ লক্ষ্মীমপুৰৰ ভূঞা সকল স্বাধীন হৈ উঠে। বৰ্ত্তমান কামৰূপৰ চাউল খোৱা নৈৰ উত্তৰে ভোটৰ পৰ্ব্বতলৈ সমভূমি অঞ্চলৰ কিছু ঠাইত পুৰুষোত্তম গজপতি নামেৰে এজন স্বাধীন ভূঞা ৰজাই ৰাজত্ব কৰিছিল। ‡

কামৰূপৰ চাউলখোৱা আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ ঠাইত গোবৰ্দ্ধন ভূঞাই স্বাধীন ৰাজ্য পাতিছিল। এওঁৰ নাৰায়ণ গোমখা ভূঞাই ক্ষেত্ৰীৰ ৰজা হৈছিল আৰু বিশ্ব সিংহৰ লগত ৰণ কৰিছিল। §

আৰিমত্তৰ সমুদ্ৰ নামে এজন মন্ত্ৰী আছিল। ৰত্নসিংহ স্বৰ্গীহোৱাৰ পিছত এওঁ বিশ্বনাথত ৰজা হয়। ৰত্নসিংহৰ পুত্ৰ সুতৰাঙ্কে এওঁক দমাব নোৱাৰিলে। সমুদ্ৰৰ পাছত তেওঁৰ পুতেক মনোহৰ ৰজা হয়। সুতৰাঙ্কৰ পুতেক মৃগাঙ্কই মনোহৰৰ লগত ৰণ কৰি তেওঁক পৰাস্ত কৰি বিশ্বনাথৰ পৰা খেদি পঠায়। মনোহৰে তেতিয়া বৰ্ত্তমান উত্তৰ লক্ষ্মীমপুৰ নগৰৰ ওচৰৰ ঘাঘৰ নৈৰ ওচৰত গৈ স্বাধীন ভাবে বাস কৰে। এইবংশই প্ৰায় ১৪৬০খৃঃ অঃলৈ ৬২বছৰ ৰাজত্ব কৰিছিল (Dr Wade's account)।

মনোহৰ অপুত্ৰক আছিল; সেইকাৰণে ভনীৰেক লক্ষ্মীদেৱী মনোহৰৰ পাছত ৰাণী হয়; আৰু তেওঁৰ নাম অনুসৰি সেইখণ্ড ঠাইৰ নাম লক্ষ্মীপুৰ বা লক্ষ্মীমপুৰ হয়। সমুদ্ৰ আৰিমত্তৰ বংশৰ বুলিয়েই অনুমান হয়; গতিকে এওঁৰ বংশধৰ সকলকো জেতাৰি বংশ বুলি ধৰিব পাৰি।

† "পণ্ডিত ব্ৰাহ্মণ এক দৰঙ্গে আছিলা।
তাঙ্ক ৰাজা পাতি জয়সিংহ নাম দিলা।
জয়সিংহ ৰাজ্য তিনি বচৰ ভুঞ্জিলা॥" ৰাজবংশাৱলী ৰতিকান্ত।

* Dr Wade's Account

‡ "বাৰ আঠত্ৰিশ শকে ভূইঞা উপজিলা।
বাৰ ভূইয়া হইয়া কামৰূপক ভুঞ্জিলা॥"
ৰাজবংশাৱলী—দ্বিজবৰ সূৰ্য্যদেৱ সিদ্ধান্ত বাগীশ

‡ পুৰুষোত্তম গজ পতিয়ে ৰাউওকুছিৰ (কামৰূপৰ নলবাৰীৰ ওচৰৰ ৰাতকুছিৰ) ধৰ্ম্মাকৰ ব্ৰাহ্মণক ভূমিদান কৰা ফলি এখন আবিষ্কাৰ হৈছে। এই তাম্ৰ পত্ৰৰ সময় ১২৫১ শক অৰ্থাৎ ১৩২৯খৃঃ অঃ।—আসাম বান্ধৱ ৬ষ্ঠ বছৰ, ৫ম সংখ্যা।

এই ফলিত পুৰুষোত্তমে নিজক সৎশূদ্ৰ বুলি পৰিচয় দিছে। এওঁক ৰামচন্দ্ৰ বা প্ৰতাপসিংহৰ শূদ্ৰানী ৰাণীৰ পুত্ৰ আৰিমত্তৰ বংশধৰ বুলি অনুমান কৰিব পাৰি।

§ Dr Wade's Accounn.

লক্ষ্মীদেৱীৰ বংশধৰ :—



এওঁলোক ভূঞা বুলি খ্যাত হয় আৰু ঠায়ে ঠায়ে স্বাধীন ভাবে কিছুকাল বাস কৰে।

এই ভূঞা সকলৰ বংশধৰ বৰ্ত্তমানে শদিয়াৰ পৰা ধুবুৰীলৈ ঠায়ে ঠায়ে বাস কৰে। এই সকলৰ সৰহভাগেই "সৎশূদ্ৰ" উপাধি পোৱাৰ লগে লগে নিজৰ কৌলিন্য ক্ষত্ৰিয় আচাৰ বিশেষকৈ উপবীত এৰাৰ ফলত "কলিতা" বুলি পৰিচিত হৈছে। * ইবিলাকৰ কিছুমানে "কায়স্থ" বুলিও চিনাকি দিয়ে।

আমি এতিয়ালৈকে অনুসন্ধান কৰি পোৱা নামনি অঞ্চলৰ কেইৰঘমান প্ৰখ্যাত ভূঞাৰ তলত অতি সংক্ষিপ্ত পৰিচয় দিলোঁ :—

এই ভূঞাসকল পশ্চিমৰ ৰাজপুত সকলৰ দৰে স্বাধীন-ভাবে বাস কৰিছিল; তেওঁলোকৰ কোনো কোনোৱে আকৌ শক্তিমন্ত ভূঞাৰ বা ৰজাৰ বশ্যতা স্বীকাৰ কৰি প্ৰাদেশিক শাসন কৰ্ত্তা বা পালি ভূঞাও হৈছিল।

(১) (কায়স্থ) শিৰোমণি ভূঞা ৰাজ্য...ৰাজ্যৰ সীমা—
"কপিলীৰ হন্তে চামধৰা সীমা কৰি।
শিঙৰিৰ হন্তে উত্তৰৰ সীমা বাৰি॥"*
ৰামচৰণ ঠাকুৰ।

প্ৰায় ১৪৮৮ খৃষ্টাব্দত এই ৰাজ্য ভাগ্যে। বৰ্ত্তমান ৰবপেটাৰ ৰায়চৌধাৰী, নৰোৱা, শলগুৰি, কোৱামৰা চামগুৰি, ভোগবাৰিৰ গোসাইসকল এই বংশৰ।

* আমি এই সময়লৈ লক্ষ্মীদেৱীৰ বংশধৰ কেইঘৰ মানৰ বি পৰিচয় সংগ্ৰহ কৰিছোঁ তাক তলত দিলোঁ। এই খিনি বিশেষকৈ শ্ৰীযুত ধাতুৰাম ভূঞাদেৱে অশেষ যত্ন কৰি সংগ্ৰহ কৰি দিছে :—

(১) লহকৰ ভূঞাৰ বংশধৰ বৰ্ত্তমানে কলাবাৰী (দৰং), শালমৰা (মাজুলী) নাজিৰা, গোলাঘাট, চাৰিং (শিৱসাগৰ), যোৰহাট আৰু নাৰায়ণপুৰ (উঃ লক্ষ্মীমপুৰত) আছে।

সাহিত্যিক শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা (চাৰিং), চাহ খেতিয়ক শ্ৰীযুত হৰিহৰ ভূঞা লহকৰ ভূঞাৰ বংশধৰ।

(২) পদ্মভূঞাৰ বংশধৰ বৰ্ত্তমানে ঢকুৱাখানা (উঃ লক্ষ্মীমপুৰ), বৰিগাওঁ (যোৰহাট) আৰু আইতগুৰি (মাজুলীত আছে। যোৰহাটৰ শ্ৰীযুত ধাতুৰাম ভূঞা, যোৰহাট বৰিগাওৰ শ্ৰীযুত শৰৎচন্দ্ৰ বৰুৱা চৰঃ এঃ চাৰ্জন পদ্মভূঞাৰ বংশধৰ।

(৩) ৰায়ভূঞাৰ বংশধৰ চাওঘাট (যোৰহাট), চাৰিগাওঁ (যোৰহাট) গোলাঘাট আৰু নাজিৰাত আছে।

(৪) শলাল ভূঞাৰ বংশধৰ নাৰায়ণপুৰ (উ লক্ষ্মীমপুৰ), বৰুৱাগাওঁ (যোৰহাট) আৰু কাকদঙাত (গোলাঘাটত) আছে।

(৫) শুক বা হুকাভূঞাৰ বংশধৰ যোৰহাট মহকুমাৰ কমলা বৰীয়া, ৰজাহাউলী আৰু কাকজানত আছে।

ৰজাহাউলিৰ শ্ৰীযুত জয়কান্ত ভূঞা শুকভূঞাৰ বংশধৰ

(৬) ধ্বজা বা ধোৱা ভূঞাৰ বংশধৰ যোৰহাট চাৰিগাওঁ, তেজপুৰ বিহালি আৰু বিহপুৰ (উ লক্ষ্মীমপুৰত) আছে।

চাৰিগাওঁৰ শ্ৰীযুত গোলাপ চন্দ্ৰ বৰুৱা ধ্বজা ভূঞাৰ বংশধৰ।

(৭) উজীৰ ভূঞাৰ বংশধৰ নাৰায়ণপুৰ, যোৰহাট, কলাবাৰী আৰু মাজুলীত আছে।

(৮) সাৰোল ভূঞাৰ বংশধৰ মাজুলী আৰু শিৱসাগৰত আছে।

(৯) ৰমাই ভূঞাৰ বংশধৰ মাজুলীৰ প্ৰাচীণ ৰত্নপুৰ আৰু দক্ষিণ পাটত আছে।

(১০) শুকাই বা তমাই ভূঞাৰ বংশধৰ বৰ্ত্তমানে নাৰায়ণপুৰ, কালুগাওঁ (শিৱসাগৰ) আৰু মাজুলীত বাস কৰে।

* অনুমান উত্তৰে ভোট, দক্ষিণে কপিলী, পূবে বৰগাং নৈ আৰু পশ্চিমে বৰনদী শিৰোমণি ভূঞাৰাজ্যৰ কিছুকাল সীমা আছিল।

বায়চৌধাৰীৰ বংশটো জয়ন্তাৰ বংশৰ আৰু গোসাই বংশকেইটা শ্ৰীমত শঙ্কৰগুৰুৰ জীউধৰা ডালৰ।

চণ্ডীবৰ (অনুমান ১৩০০ খৃঃ অঃ)

বাজধৰ | গদাধৰ ভূঞ্যাঁ।

সূর্য্যবৰ | জয়ন্তা (শ্ৰীমন্ত শঙ্কৰদেৱৰ তীৰ্থলৈ যাওঁতে ১১ বছৰ বাজ্য চলাইছিল)

কুসুম্বৰ | শতানন্দ

জগতানন্দ

বা বাম ৰায়।

শ্ৰীশঙ্কৰদেৱ (৩৯ বছৰ বয়সলৈ)

অনুমান ১৪৮৮ খৃঃ অঃ

(২) সমুদ্ৰৰ বংশ (ওপৰত দিয়া হৈছে) বৰ্ত্তমান বংশধৰ সকলৰ পৰিচয় ভালদৰে সংগৃহীত হৈ উঠা নাই।

(৩) (কায়স্থ) ক্ষেত্ৰী ভূঞ্যা বা গোমোস্থা বংশ (বৰ্ত্তমান কামৰূপৰ মধ্যাংশত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আছিল।)

শ্ৰীধৰ (শেষ কালত স্বাধীন হৈছিল)

গদাধৰ (কমতাৰ অধীন)

গোবৰ্দ্ধন

নাৰায়ণ গোমোস্থা ভূঞ্যা (শেষ বয়সত বিশ্বসিংহৰ দ্বাৰা নিহত হয়)।

[শ্ৰীযুত ককণাকান্ত বৰুৱা বি-এ, বি-টি ডেপুটী ইন্সপেক্টৰ আৰু শ্ৰীযুত ধৰ্ম্মনাৰায়ণ দত্ত একচাইচ চুপাৰিণ্টেনডেণ্ট এই বংশৰ।]

(৩) চণ্ডীবৰৰ ভাই গদাধৰ ভূঞ্যা [গোনতে প্ৰতাপগড়ৰ ওচৰত, পিছত কামৰূপৰ টিছ অঞ্চল] বৃহৎ ভদ্ৰ [আৰিমত্তৰ অধীন]

[এওঁৰ বংশধৰ মঙ্গলদৈৰ শ্ৰীযুত আনন্দিৰাম চৌধাৰী মৌজাদাৰ আৰু কামৰূপৰ মাখিবাহাৰ শ্ৰীযুত প্ৰসন্ন নাৰায়ণ চৌধাৰী আদি।]

(৪) (কায়স্থ) শ্ৰীহৰি বা সৰস্বতী ভূঞ্যা (ৰবপেটা অঞ্চলত) ;

হৰিপাল (কমতাৰ অধীন)

ৰামপাল

জয়পাল

কৃষ্ণপাল (বিশ্বসিংহৰ দ্বাৰা নিহত হয়)

[বিখ্যাত কবি ৰামচৰণ ঠাকুৰ এই বংশৰ, সুন্দৰীদিয়াৰ অধিকাৰী বংশ, দলগোমাৰ শ্ৰীযুত অমৃতভূষণ অধিকাৰী আদি এই বংশৰেই।]

(৫) (কায়স্থ) শ্ৰীপতি দত্ত ভূঞ্যা (কমতাৰ তলে জলপাইগুৰি অঞ্চলত পশ্চিম দুৱাৰ বধীয়া হয়)

চিদানন্দ (কমতাৰ অধীন)

জগদানন্দ (শেষ কালত স্বাধীন হয়)

নিবঞ্জন ভূঞ্যা (হুচেনচাৰ হাতত পৰাস্ত হয় আৰু বশ্যতা স্বীকাৰ কৰে।)

[কামৰূপৰ চেডাঁৰ শ্ৰীযুত ৰামানন্দ চৌধুৰী বি-এ, এচ্-ডি-এম, ৰায় বাহাদুৰ শ্ৰীযুত ৰজনীকান্ত চৌধাৰী এম, এল, চি এই বংশৰ।]

(৬) চিদানন্দ বা শ্ৰীপতি ভূঞ্যা (চণ্ডীবৰৰ লগত লেঙামাগুৰিত বাস কৰিছিল।)

নৰপতি ভূঞ্যা (বৰ্ত্তমান গোৱালপাৰাৰ ৰাজ গাৱঁত স্বাধীনভাবে বাস কৰিছিল)

উমাপতি | মনপতি ভূঞ্যা (উত্তৰ লক্ষীমপুৰৰ বালি গাৱঁত স্বাধীনভাবে বাস কৰে)

ৰণজিত ভূঞ্যা (বিশ্বসিংহৰ হাতত পৰাস্ত হয়)

ৰামপতি ভূঞ্যা

গৌৰীপতি বা গিৰীচন্দ্ৰ

[আহোম ৰজাৰ অধীন হয়]

পাচত চিলাৰায়ৰ আশ্ৰয় লৈ কামৰূপত বাস কৰে।

[গৌৰীপতি ভূঞ্যাৰ বংশধৰ কামৰূপৰ ৰবি গাৱঁত শ্ৰীযুত প্ৰভাতচন্দ্ৰ দত্ত বি-এল আৰু ৰণজিৎ ভূঞ্যাৰ বংশধৰ ৰজনীৰ শ্ৰীযুত কালীচৰণ দত্ত মহাশয় সকল]

(৭) (কায়স্থ) শ্ৰীপতি সৰস্বতী ভূঞ্যা [কামৰূপৰ মানাহ আৰু কালদিয়া নৈৰ মাজৰ উত্তৰ অঞ্চলত কমতাৰ তলে ভূঞ্যা আছিল বৰ্ত্তমান বৰ নগৰৰ ওচৰৰ ভেৰা গ্ৰামত কোঠ কবিছিল]

লক্ষীপতি (কমতাৰ অধীন)

জগন্নাথ (স্বাধীন ; পাছত দুৰ্জ্জয়ভেদ্ধৰ হাতত পৰাস্ত হয়)

প্ৰাণকৃষ্ণ (ব্ৰহ্মপুত্ৰৰ ওচৰৰ ঐ গুৰি লোহিতগুড়িত বাস কৰিছিল)

গঙ্গানাথ ভূঞ্যা [বিশ্বসিংহই নিহত কৰে]

[এইজন ভূঞ্যা বংশধৰ কামৰূপৰ শলা গাৱঁৰ শ্ৰীযুত গণপতি ভূঞ্যা মহাশয় সকল]

(৮) (কায়স্থ) কৰ্ণপুৰ ভূঞ্যা [কমতাৰ তলে কনৌজপুৰত আছিল। বৰ্ত্তমান বংপুৰ জিলাৰ ব্ৰহ্মপুত্ৰৰ ওচৰত]

কৃপচন্দ্ৰ খাঁ

বাম খাঁ বা বুঢ়া খাঁ ৰবভূঞ্যা [শেষ বয়সত বিশ্বসিংহৰ হাতত পৰাস্ত হৈ উজাই আহি আৰু বৰ্ত্তমান নগাঁৰ কুজী আৰু দেউতা বিমলৰ মাজত কোঠ কবি বাস কবিছিল]

ভাষ্যা—(১) প্ৰভাৱতী

(২) ৰাধা

(৩) আকণী দেবী (কুসুম্বৰ শিবোমণি ভূঞ্যাৰ ভগ্নী)

[খুবুৰী লোকেৰ বোৰ্ড চেয়াবমেন শ্ৰীযুত সন্তোষ কুমাৰ বৰুৱা বি-এ, আদি এই বংশৰ।]

(৯) (কায়স্থ) শূলপাণি

পিনাক পাণি (কুবচ) চক্রপাণি (মিথিলা)

টাঙ্কপাণি ভৌমিক (কমতাৰ তলে) (বৰ্ত্তমান কোচবেহাৰত)

বজ্রপাণি

নবসিংহ

বটু (অধীন) পটু (অধীন) ভূবন (অধীন)

[মাননীয় গৌৰীপুৰৰ ৰাজা শ্ৰীযুক্ত প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰ এই বংশৰ]

(১০) জিতাৰি ৰাজবংশৰ

বাসুদেৱ ভূঞ্যাঁ (কমতাৰ তলে)

জয়দেৱ ভূঞ্যাঁ (কমতাৰ তলে)

পুৰুষোত্তম ভূঞ্যাঁ (স্বাধীন ; নলবাৰীৰ পুৰ অঞ্চলত) ১৩২৯ খৃঃ অঃ

১৭। বিশ্বসিংহই পৰাস্ত কৰা আন আন প্ৰাচীন ভূঞ্যাঁ সকল :—

এই ভূঞ্যা সকলৰ পূৰ্ব্ব পুৰুষ আৰু অধস্তন পুৰুষ সকলৰ পৰিচয় উলিয়াব পৰা নাই। দুই এজনৰ মাত্ৰ অধস্তন পুৰুষৰ পৰিচয় পোৱা হৈছে :—

(১) (কায়স্থ) প্ৰতাপ ভূঞ্যা—স্বাধীন ভাবে পাণ্ডুত বাস কৰিছিল। এওঁৰ বংশধৰ বিখ্যাত বৰ নগৰীয়া বৰুৱা। বৰ্ত্তমানে বৰ নগৰত শ্ৰীযুত ভবেন্দ্ৰনাৰায়ণ বৰুৱা আৰু চেডাঁত শ্ৰীযুত সত্যনাৰায়ণ বৰুৱা আদি আছে।

(২) ব্ৰাহ্মণ জাতীয় বৰ ভূঞ্যা আৰু সৰু ভূঞ্যা।

(৩) চুটি ভূঞ্যা—দৈবজ্ঞ জাতীয়।

(৪) কবিলাস ভূঞ্যা—স্বাৰ গাঁও (কামৰূপ)

১৮। এই সময়ৰ ভূঞ্যাৰ পৰাক্ৰম

কৰ্ণপুৰ ভূঞ্যাৰ হাতত বিশ্বসিংহ প্ৰথমে পৰাস্ত হয়, পাছৰ ৰণতহে জয় হয়।

"কৰ্ণপুৰ ভূঞ্যাক দেৱিয়া দিলা ৰণ॥
ধুমাজয় ৰণ ভৈলা ভূঞ্যাৰ সহিত।

যতেক মৰিল সৈন্য নাই পৰিমিত ॥
অন্ধে শস্ত্রে জাঠি জোঠে খাণ্ডা বাক হানে।
অসংখ্য মৰিল সৈন্য বন্দুক সন্ধানে ॥
ছ কুবি মৰিল হস্তি ঘোৱা পাঞ্চ শত।
ছতয় শতেক উট বগে ভৈল হত ॥
যুদ্ধত নিপুণ বৰ শিৱৰ নন্দন।
দশ হাজেৰেক সৈন্য কৰিল উচন ॥
ভূঞায়ো ধৰিলা পাছে অন্যায় সমৰে।
শিৱৰ নন্দনে যুদ্ধ কৰে একেশ্বৰে ॥
সিদিনা দুর্গাৰ পাৱে নউভল ভকতি।
এতেকতে সমৰে ভৈলেক আশকক্তি ॥"

দৰং ৰাজবংশাৱলী, সূর্য্যখড়ি।

(২) "ভূঞাসমে বৰ গোৱখীয়া বগ কৰে।
বুদ্ধি নাই এতেকেসে সংগ্রামত হাৰে ॥
বল বুদ্ধি মধ্যে জাৰ বুদ্ধিবল তাৰ।
শশাঙ্কয়ো মৃগেন্দ্রক কৰিচন্ত মাৰ ॥
সসৈন্যে থাকন্ত ভূঞা সম সেস জাগে।
ঢোল তাল কণি দিয়া ধৰিবে নলাগে ॥

ৰাজবংশাৱলী—ৰতিকান্ত

১৯। অন্ধ্রযুগৰ ৰজা সকলৰ বংশ, ক্রম আৰু সময়।

গৌড়ীয় পালবংশী [অনুমান] — (১) তিব্বতৰেদ...১৫২৫—১১৩১ খৃঃ অঃ [গৌড়ৰ পালৰজাৰ অধীন]
(২) বৈদ্যদেৱ...১১৩১-১১৫৭খৃ ঃঅঃ

[ইয়াৰ পাচত (অনুমান) নৰকবংশী পাল ৰাজবংশৰ প্রতাৱ জিলিকি উঠিছিল]

(৩) নৰকবংশী

পৃথুপাল (১২০০ খৃঃ অঃ ১২২৮ খৃঃ)

নৰক বংশী পাল বাশীয় ৰজা—ধর্মপাল (১১৫০ খৃঃ অঃ)
↓ (পুত্র)
ৰত্নপাল
↓ (পুত্র)
সোম পাল
↓ (পুত্র)
কাম পাল
↓ (পুত্র)
পৃথু পাল (১২০০-১২২৮)
↓ (বংশধৰ)
সুবাহু (সন্ন্যাস)
↓
সুবর্ণ পাল (১২৫০)
[মন্ত্রীয়ে ৰাজ্য কাঢ়ি লয়।]

[পৃথু পালৰ পাছত তেওঁৰ বংশধৰ সুবাহুৱেই অলপ দিন ৰাজত্ব কৰি সন্ন্যাস গ্রহণ কৰে। পিছত তেওঁৰ বংশধৰ সুবর্ণ পালে অলপ দিন ৰাজত্ব কৰাৰ পিছতেই মন্ত্রী সুমতিয়ে সিংহাসন কাঢ়ি লয় (অনুঃ ১২৫০ খৃঃ অঃ)।]

(৪) গৌড়ীয় পাল বংশী (কায়স্থ—সন্ধ্যাৰজা ১২৫০ খৃঃ অঃ (অনুঃ গৌড়ৰ ক্ষেত্রীয় পালৰাজবংশ)

সন্ধ্যাৰজা
↓ (পুত্র)
ৰাজৰাজেশ্বৰ সিদ্ধ
↓ (পুত্র) কপচন্দ্র
↓ (পুত্র) সিংহধ্বজ (১৩০০—১৩০৫ খৃঃ অঃ)

(৫) সিংহধ্বজ বংশৰ—লাহাৰিয়া (কায়স্থ)
↓
প্রতাপধ্বজ (মালিক) (১৩০৫ খৃঃঅঃ)
ভার্য্যা—(১) পর্ব্বাৱতী
↓
(২) মদনাৱতী দুর্লভনাৰায়ণ
↓
ইন্দ্রনাৰায়ণ
↓
দুর্লভেন্দ্র (১৩৬৫—১৩৭০ খৃঃ অঃ)

[গৌড়ৰ ইতিহাস আলোচনা কৰিলে পোৱা যায় ক্ষত্রিয় পাল ৰাজবংশ নিস্তেজ হোৱাৰ লগে লগে সেই বংশৰ লোক সকলে নিজক কায়স্থ বুলিজেই পৰিচয় দিবলৈ ধৰে। সম্ভবতঃ সেই সময়ত এওঁ লোকৰ বেছি ভাগেই মসীজী হৈ পৰিছিল। এই কাৰণেই সেই সময়ৰ কামৰূপীয় কৰি কবিৰত্ন সৰস্বতী আৰু পাছৰ কৰি ৰামচৰণ ঠাকুৰে দুর্লভ আৰু ধর্ম নাৰায়ণক কায়স্থ বুলি পৰিচয় দিছে।]

(৬) সিংহধ্বজৰ বংশৰ (কায়স্থ) অনুমান জেতাৰি মুনিৰ পোষ্য—ধর্ম পাল বা ধর্মনাৰায়ণ (১৩৩০ খৃঃ অঃ)
↓
তাম্রধ্বজ (ৰত্নপাল)
↓
সোমপাল
↓
প্রতাপধ্বজ

প্রতাপধ্বজ
↓
আৰিমত্ত — জঙ্গল ৰত্তল
↓
(গঞ্জাঙ্ক) (১৩৩০)
↓
ৰত্নসিংহ (শুকৰাঙ্ক)
↓
সুতৰাঙ্ক (১৩৩৮—১৪০০)
↓
মৃগাঙ্ক (অনুমান ১৪০০খৃঃঅঃ)।
(অপুত্রক)

(৭) অনুমান ধর্ম্ম পালৰ বংশৰ) সমুদ্র বিষ্ণুনাথত ৰজা হয়
১৩৯৮খৃঃ অঃ
↓
মনোহৰ
(বিষ্ণনাথ আৰু লক্ষ্মীপুৰ)
↓
লক্ষ্মীদেৱী
↓
শান্তনু — ক্ষমন্ত।
১৪৬০ খৃঃ অব্দলৈ।

শান্তনু আৰু ক্ষমন্তৰ বংশধৰ বুলি পৰিচয় দিয়া সকলৰ কিছুমানে নিজক কায়স্থ আৰু কুআচাৰ ত্যাগ কৰা সকলে কলিতা বুলি পৰিচয় দিয়ে।

(৮) খাঁ খান ৰাজবংশ।

নীলধ্বজ—১৪৪০ খৃঃ
↓
চক্রধ্বজ
↓
নীলাম্বৰ

খাঁ বা খান ৰাজবংশ।

অনুমান ১৪৪০ খৃঃত কমতাত খাঁ বা খান ভূঞা বা ৰাজবংশৰ অভ্যুদয় হয়। আমাৰ বুৰঞ্জী লিখক কেইজন মানে এই বংশটোৰ নাম 'খেন' দিছে। আচলতে কিন্তু এইবংশক খাঁ বা খান বংশ বোলাহে উচিত। আফগানৰ অধীনত কিছুমান প্রাদেশিক শাসন কর্ত্তাৰ উপাধি খাঁন বা খাঁ আছিল। ছচেন চাহৰ প্রধান মন্ত্রী জনৰ নাম পুৰন্দৰ খাঁ (কায়স্থ) আছিল। ছচেন চাহে কমতা অধিকাৰ কৰাৰ পিছত কৃষ্ণনাৰায়ণ, ঘোৱাল খাঁ মালকুমাৰ আৰু লক্ষীনাৰায়ণ নামে চাৰিজন ক্ষমতাশালী ভূঞাই তেওঁৰ বশ্যতা স্বীকাৰ কৰিছিল। ইয়াৰ উপৰি বুঢ়াখাঁ, হৰিখাঁ, কেতেখাঁ, ৰামখাঁ আদিও পুৰণি কমতা ৰাজ্যৰ প্রখ্যাত ভূঞাসকলৰেই নাম। এতেকে খাঁ, ভূঞা বা প্রদেশিক শাসনকর্ত্তাৰ এটা উপাধি। সেই সময়ৰ প্রাদেশিক কায়স্থ শাসনকর্ত্তা সকলৰ উপাধি খাঁ দেখা যায় দেখি—ৰায়বাহাদুৰ শ্রীযুত কনকলাল বৰুৱা ডাঙৰীয়াই "গেন" ৰাজবংশটোক কায়স্থ ৰাজবংশ বুলি অনুমান কৰে।* কিন্তু বুকানন চাহাবৰ মতে "ৰাজবংশীহে"। এওঁলোকৰ জাতি যেয়ে নহওক এইটো কিন্তু স্থিৰ যে নীলধ্বজ কোনোবা ভূঞাৰেই বংশধৰ আছিল। অনুমান ১৫০০খৃঃ অন্ত হোচেন চাহে কমতা অধিকাৰ কৰি উভাহে আহে আৰু বৰ নদীলৈ ৰাজ্য জয় কৰি হাজোত থানা পাতে। তাৰ পাছত তেওঁৰ পুত্র দানিয়েলক এদল সৈন্যৰ সৈতে হাজোত ৰাখি বঙ্গদেশলৈ যায়।

হোচেন হুজো এবাৰ পিছতেই ভূঞা সকলে হাজো আক্রমণ কৰে আৰু দানিয়েলক মাৰি আফগানৰ থানা অধিকাৰ কৰে (১৫০৩খৃঃ অঃ) † ; কিন্তু ইয়াৰ কেই বছৰ মান পিছতেই ভূঞাৰ ভিতৰেৰেই বিষ সিংহই অনেক ভূঞাক পৰাস্ত কৰি কমতাৰ বহা হয়; আৰু এওঁৰ পৰাই কামৰূপ ৰাজ্যত কোচ ৰাজবংশৰ অভ্যুদয় হয় (১৫১৫খৃঃঅঃ) ‡।

যোৱা বছৰৰ ১ম সংখ্যা "আৱাহনত" শ্রীযুত ধনেশ্বৰ শর্ম্মা ডাঙৰীয়াই ফেকুৰাৰ বংশ সম্বন্ধে আপত্তি কৰিছিল; আশা কৰোঁ তেখেতে আমাৰ সংগ্রহীত এই কথা খিনি পঢ়ি অভিমত প্রকাশ কৰি আমাক সহায় কৰিব।

---

* Eearly History of Kamrup
Francis Buchanan—এ জনহতৰ পৰা পোনতে খান ৰাজবংশৰ কথা সংগ্রহ কৰে বুলি উল্লিখিত আছে। তেওঁৰ মতে খান বংশৰ প্রভাৱ জলপাইগুৰি, কোচবিহাৰ আৰু বগুৰাতহে আছিল।

† (১) Calcutta Review (1867-vol XIV)
(২) "পশ্চিম দেশৰ হইতে আসিলা জন।
তৰ (শিৱ) দেশ কামৰূপ ভুস্রিযাক মন ॥
বাৰহাজাৰ ঘুৰ্ত্তি জগে তৰ হাজাৰ চাৰি।
সবে সৈন্য সাজি আইলা মোজলমান গাজি ॥
বাৰভূঞা কামৰূপে অধিকাৰী ভৈলা।
তৰ দেশ কামৰূপ বিভাগিয়া পৈলা ॥"
ৰাজবংশাৱলী—দ্বিজবর সূর্য্যবর সিদ্ধান্ত বাগীশ।

সবাৰ উপৰি শ্রেষ্ঠ হাবিয়া মণ্ডল। [মণ্ডল, ভৌমিক, ভূঞা একে দৰং ৰাজবংশাৱলী। অর্থবাচক।]

‡ পৰীক্ষিৎ বন্দী হোৱাৰ পিছত আহোম ৰজাই বলি নাৰায়ণক কৈছে :—
"শুনি অর্থৰাজ্য অসাম্প্রত কৰি মনে।
ৰাজ্য দিলোঁ ভূঞা তোৰ বশ থাকে মানে ॥"
ৰাজবংশাৱলী—ৰতিকান্ত।

বিমান পথেৰে বিলাত যাত্ৰা

—বীৰু

(২)

এন্ধাৰ ৰাতি সৌন্দৰ্য্য আছে—এই প্ৰথম উপলব্ধি কৰিলোঁ, যেতিয়া দেখিলোঁ কৰাচী নগৰখন শূন্যৰ পৰা কলা পাথৰৰ প্ৰতিমাত সোণৰ অলঙ্কাৰ যেন লাগিল। আকাশৰ পৰা মূৰ দোখাই আহিল এই ৰাতিৰ সৌন্দৰ্য্যলৈ। যিমানে ওপৰলৈ উঠিব ধৰিলো তিমানে ৰূপৰ ওৰণী ওলাবলৈ ধৰিলে। হাজাৰ দেৰ হাজাৰ ফুট ওপৰৰ পৰা যেতিয়া চালোঁ তেতিয়া মনত হল যেন তৰাবিলাক গোটেই মোৰ ভৰিৰ তলত। এই সৌন্দৰ্য্য নিজে নেদিখিলে লিখি বুজাবৰ শক্তি মোৰ নাই।



আমি অহা উৰাজাহাজ

মোৰ কাষতেই এজন পাদৰী বাহিছিল। ইমান সময় পাদৰীৰ লগত কথা হোৱা নাছিলো। এইসুযোগ পাই তেওঁৰ দৃষ্টি এইফালে ফিৰালো। সৌন্দৰ্য্য চোৱা দূৰৰ কথা পাদৰীয়ে হাড়িৰ নিচিনা মুখ কৰি বহি থাকিল। ধৰ্ম্মৰ বিষয় বক্তৃতা দি দি একেবাৰে ধৰ্ম্মৰ ষাড় হৈ পৰিছে। সৌন্দৰ্য্যজ্ঞান হব ক'ৰ পৰা। পিছত বুজিলো টোপনি মাৰিব নোৱাৰাৰ নিমিত্তেই এই দশা, কিন্তু মই নেৰিলো, সুধিলো "কিমান দূৰ যাব?" উত্তৰ দিলে "বেছি দূৰ নহয় গ্যয়াদাৰলৈ।" মই ভাবিলোঁ, যিহক তথাপি অলপ ঘুমাব পাৰিম। কৰাচীৰ পৰা গ্যয়াদাৰ তিনিশ মাইল।

কৰাচী বহুত পাছত এৰি আহিছোঁ। আমি ক্ৰমে ওপৰলৈ উঠাৰ আৰম্ভ কৰিলো। চেঁচাবতাহ বৰলৈ ধৰিলে বৰকৈ। মই বহিছিলো খিৰিকীৰ কাষত সাত আঠ হাজাৰ ফুট ওপৰৰ চেঁচাবতাহ আহি লাগিছিল পাদৰীৰ গাত। বেচাৰাই বৰ ব্যস্ত হৈ উঠিল। মোক কলে বন্ধ কৰিবলৈ। এবাৰ হাত দিয়েই বুজিলো বন্ধ কৰিবৰ কোনো ব্যৱস্থা নাই। পাদৰিক কলোঁ—বন্ধ কৰা নাযায়। মোৰ কথা বোধ হয় তেওঁ বিশ্বাস নকৰিলে, পাদৰী নিজেই বন্ধ কৰিবলৈ চেষ্টা কৰিলে। যেতিয়া দেখিলে যে বন্ধ নহয় তেতিয়া অলপ অজলাৰ হাঁহি হাঁহি গলবন্ধা আৰু ওভাৰকোট লৈ আহিল। মোৰ গা অলপ কেনেবা কেনেবা কৰিবলৈ ধৰিলে। এবাৰ প্ৰায় বতিয়াব ধৰিছিলোয়েই। বহু কষ্টেৰেহে বন্ধ কৰিলোঁ। নহলে হয়তো পাদৰীৰ লাহৰ ওভাৰকোটেৰেই কাম শেষ কৰিলোঁহেতেন। কি কৰো বৰ অস্বস্তি বোধ কৰিবলৈ ধৰিলোঁ। শেষত উপায় নাপাই ঘুমাবলৈ চেষ্টা কৰিলোঁ। যি ভড়ড় ভড়ড় শব্দ, ইয়াত জানো টোপনি যাবৰ যো আছে? আকৌ চকু মেলি থাকিলেও বিপদ, স্যোইলেন স্যাৰ মাজেদি যি নীল জুই বাহিৰ হৈছে তাক দেখিলে মোৰ আত্মাৰাম সজা এৰি পলাবলৈ খোজে। সেইটো যদি কিবা কাৰণে বন্ধ হব লাগিল তেনেহলেতো একেবাৰে 'পপাত ধৰণী তলে'। এই বিলাকৰ ওপৰত মোৰ আকৌ বাতিৰ ভাবৰ উদ্ৰেক হল। ইফালে হঠাৎ ইঞ্জিনটো গল থামি। সাৰথীসকলে যে মাজে মাজে এনেকুৱা কৰে মোৰ জনা নাছিল। মোৰ মনৰ অৱস্থা যেনেকুৱা হল

সি অবৰ্ণনীয়। জন্মৰ পিছৰ পৰাই মৃত্যুৰ আগ মুহূৰ্ত্ত লৈকে গোটেইটো ছবি মনৰ মাজত দেখা দিলে। দেখিলো এই অৱস্থা অকল মোৰেই নহয়। ওচৰৰ সকলোৰে মুখ প্ৰশ্নসূচক। এই অৱস্থাত আমালোকে বেছি সময় কটাব লগীয়া নহল। ইঞ্জিন আকৌ গৰ্জ্জি উঠি চলিবলৈ ধৰিলে। ষ্টুয়াৰ্ট আহি চাকি বোৰ নুমাই দি গল।

টোপনি আহিল, ঘুমাবলৈ অলপ চেষ্টা কৰিলোঁ। কেতিয়া টোপনি আহিল কব নোৱাৰোঁ। গ্যায়াদাৰ পোৱাৰ অলপ আগতে সাৰ পালোঁ। উঠি বুজিলো এতিয়াও বাতিৰ ভাৱ ৰৈছে। মই তলৰ দৃশ্য চাবলৈ ধৰিলোঁ অলপ পিছত বুজিব পাৰিলোঁ, মোৰ বাতিৰ ভাৱ কমি যাবলৈ ধৰিছে। কাৰণ কি বুজি নাপালোঁ। পিছত কোম্পানীৰ ইন্‌ষ্ট্ৰাকশ্যনৰ কিতাপ এখনত পালোঁ যেতিয়া এনেকুৱা ভাৱ হয়, তেতিয়া তলৰ দৃশ্য চোৱা আৰু মূৰত ঠাণ্ডা বতাহ লগোৱাই একমাত্ৰ উপায়।



চকাল গোৱা জখলা

ব্যোমজান তললৈ নামিছে। মোৰ কাণ হঠাৎ বন্ধ হৈ গল। কিন্তু একেবাৰে বন্ধ নহয়। নাকটো টিপি ধৰি ঢোক গিলিলে যেনেকুৱা হয় তেনে। ইয়াৰ একমাত্ৰ ঔষধ আৰু এবাৰ ঢোক গিলা। এইটো মোৰ আগতেই জনা আছিল। মই তৎক্ষণাৎ ঔষধ প্ৰয়োগ কৰিলো। ভাল হৈ গল, আকৌ হল আকৌ ভাল কৰিলো, এই ভাবেই চলিব ধৰিলে যেতিয়ালৈকে ব্যোমজান মাটিত নপৰিল। কিন্তু এনেকুৱা অকল মোৰেই নহয়, দেখিলো প্লেনৰ গোটেই বোৰেই নাক টিপাটিপি আৰম্ভ কৰিছে। নাক টিপাৰ কোনো দৰকাৰ নহয়। অকল ঢোক গিলিলেই চলে।

প্লেনখন মাটিত পৰাৰ লগে লগেই স্বৰ্গীয় আৰামত মনটো ভৰি উঠিল। গ্যয়াদাৰ ডাঙৰ ষ্টেশ্যন নহয়।



পেট্ৰলৰ টেঙ্কৰ ওচৰত আমাৰ প্লেন

ইয়াত বেছি সময় নাথামে। তাৰ ওপৰত আমাৰ আকৌ পলম হৈছে। দৰজাত জখলা লগোৱাৰ লগে লগেই নামিলো। কোনো ফালেও গছ গছনিৰ মুখ দেখিবৰ উপায় নাই, ঢক ঢক কৰিছে কেৱল বালি মিহলি টান মাটি। দক্ষিণৰ সমুদ্ৰৰ বতাহ হু হু কৈ বব লাগিছে। পাদৰীৰ কাৰণে মটৰ ৰৈ আছিল, পাদৰী বিদায় লৈ চহৰৰ ফালে গুচি গ'ল। প্লেনত পেট্ৰল নিব ধৰিছে। ইঞ্জিন ঠিক আছে নে নাই চালে। ধোঁৱা খোৱা বিলাকৰ মুখত একোটাকৈ পাইপ, বেছ আৰামেৰে টানিছে। প্লেনৰ ভিতৰত অগ্নি সংযোগ একেবাৰে নিষেধ। দুই ভায়া কেতিয়াবাৰ পৰাই চেপি আছিল বোধ হয়। নমাৰ লগে লগেই লৰ। মোৰো অৱস্থা ভাল নহয়। কিন্তু মুকুলি পথাৰৰ মাজত এনেকুৱা দুঃসাহসিক কাম কৰিবৰ সাহ মোৰ নহল। এতিয়ালৈকে নাজানো যে প্লেনত গোপন কাৰ্য্যৰ ঠাই আছে।

এৰিলোঁ গ্যয়াদাৰ। অলপ সময়ৰ পিছত আকৌ

বাতিৰ ভাৱ বেছি হ'ল। আৰু ৰব নোৱাৰিলোঁ। লৰালৰিকৈ ষ্টুয়াৰ্টক সুধিলোঁ। সি মোক পায়খানা



পাত্ৰীৰ কাৰণে আহি বৈ থকা মটৰ গাৰী



ৰাইফলধাৰী ওমানী

দেখুৱাই দিলে। অলপ বতিয়াই ভাল লাগিল। মোৰ বহিবৰ ঠাই এতিয়া খালি। চাবলগা দৃশ্যও একো নাই; কেবল বালি আৰু বালি। পাছৰ ষ্টেশ্যন স্যাৰজা, চাৰিশ চল্লিশ মাইল। মই ঘুমাই পৰিলোঁ।



গ্যায়দাৰৰ পতাকা স্তম্ভ

স্যাৰজা ষ্টেশ্যন ভাল লাগিল আকাশৰ পৰা চাই। কিন্তু ইয়াতো সেই বালি আৰু মাটি। প্লেনৰ পৰা তেতিয়া দেখিলোঁ দহ-বাৰজন ওমানীয়ে ৰাইফল্ লৈ থিয় হৈ আছে। মই দেখি অবাক। কথা কি? পাইলটৰ ভুলত জানো শেষত বেদুইন (আৰবদেশৰ জাজাবৰ জাতি বিশেষ। বৰ দুৰ্দ্ধৰ্ষ) বোৰৰ হাতত মৰোঁ। এনে নানা প্ৰশ্ন আহি মনত ঠাই পালে। কিন্তু তাৰ পিছত বুজিলোঁ যে ইহঁত এই ফোৰ্টৰ সৈন্য। ইহঁতে অবাক হৈ মোৰ ফালে চাই ৰল। বুকুত সাহ বান্ধি ক্যামেৰাটো হাতত লৈ ফোৰ্টৰ ভিতৰত সোমালোঁগৈ। সৰু ফোৰ্ট। দীঘলে প্ৰায় এক শৰ অলপ ওপৰ কি একশ ফুট, পথালিয়ে চল্লিশ কি পঞ্চাশ ফুট হব। মাজৰ ঠাইডোখৰ মুকলি, এটা বোমা পৰিলেই শেষ। কিন্তু ইয়াত ইয়াৰ দামেই বহুত।

গৈ সোমালোঁ এটা ঘৰত। মেজ-বিছনি চলিছিল বেগেৰে। যেনেকুৱা গৰম এই বিছনি একোই নহয়। ফোৰ্টৰ কৰ্ত্তা নে ষ্টেশ্যন চুপাৰিনটেণ্ডেণ্ট, এনেকুৱা বিধৰ এজন মানুহে মোক সুধিলে মই কিমনি দূৰ যাম। ইংলণ্ডলৈ যাম শুনি তৎক্ষণাত দুখন চিঠি আৰু দুটা 'পেনি' (বিলাতি পইছা) দি কলে—"যদি একো নাভাবে তেনেহলে এই চিঠি দুখন তালৈ গৈ চিঠিৰ বাকচত পেলাই দিব।" ই আৰু কি ডাঙৰ কামটো। কলোঁ—"ভাল।" মনে মনে ভাবিলোঁ বেয়া নহয় Air mail তকৈ (আকাশী-ডাক) কিহত কম; সেই কলিকতাৰ পৰা আৰম্ভ হৈছে চিঠি দিয়া—এতিয়াও শেষ হোৱা নাই। কিন্তু মানুহজনে অলপ ভুল কৰিছিল। এখনত দুয়

পেনিৰ টিকিট লগাইছিল আৰু দুই পেনি দিলে মোক অইন এখন ডাকত দিবলৈ (Inland postage) বিলাতৰ ভিতৰত) চিঠিৰ ডাকখৰচ মুঠে ডেৰ পেনি হে। অৱশ্যে তেতিয়া মোৰ এইবোৰ জনা নাছিল। য'ক মোৰোতো কষ্ট হৈছে। এই টিকিটৰ সদ্ব্যৱহাৰ ময়েই কৰিম। ভাল কৈ আৰু বহিবৰ সময় নাপালোঁ। উকি পৰিল উৰিবলৈ।

উঠিলো গৈ অচিন দেশৰ যাত্ৰী। উৰি গৈ থাকোঁতে মনত হ'ল আমালোকৰো এদিন আছিল যেতিয়া ভাৰতৰ অতীত যুগত পুষ্পক ৰথত উঠি মানুহে ঘূঁৰি ফুৰিছিল। কেতিয়া আকৌ সেই দিন আহিব? কোনে কব পাৰে পুষ্পক ৰথ নাছিল?

যি নাছিল সি কেতিয়াও হব নোৱাৰে, যি আছিল সেয়ে হৈছে আৰু হব। এখন বিৰাট জাহাজ যাওঁতে যাওঁতে ধুমুহাৰ মুখত পৰি ডুবি গ'ল। লগতে ডুবিলে হাজাৰ মানুহ, মণি-মুক্তা হিৰা, জহৰৎ আৰু আন বহুত কিবা কিবি। তাৰ পিছত সকলোৱে নিতাল মাৰে।



সাৰথীয়ে ইঞ্জিন দেখিছে

সেই কাৰণেই কব লাগে নে যে জাহাজ নাছিল—মানুহ নাছিল—হিৰা, জহৰৎ নাছিল?

স্যাৰজাৰ দ্বিতীয় ষ্টেশ্যন পালোঁহি। কিন্তু সময় নথকাত আমাক ইয়াত নামিবলৈ নিদিলে। ডাক তুলি নিয়াত যিমান সময় লাগিছিল সেই সময় খিনিহে থামিছিল মাত্ৰ। পিছৰ ষ্টেশ্যন হৈছে বেহৰিন্—তিনি শ পয়ত্ৰিছ মাইল। আগেয়ে উনুকিয়াই অহা দুই ভাই এটা



আমাৰ প্লেনত পেট্ৰল লৈছে

ফলৰ পাছি আগত লৈ বহিল। মোকো মাতি পঠিয়ালে তালৈ। তাৰ ভিতৰত কেটামান কোমল ডাব আছিল। ডাবৰ ওপৰত মোৰ বৰ লোভ লাগিল। আৰু এই ৰ'দত পিয়াহো লাগিছিল। কিন্তু খোজোঁ কেনেকৈ? কলোঁ মূৰ বিষাইছে আৰু বমি বমি ভাব। যদিও তেতিয়া মোৰ বমি বমি ভাব মুঠেই নাছিল। আৰু মূৰো বিষোৱা নাই এতিয়ালৈকে আইৰ কৃপাত। য'ক ইয়াতে মোৰ অভীষ্ট সিদ্ধ হ'ল। এজন ভায়াই তৎক্ষণাত এটা ডাব কাটি কলে—"পিয়ে! সব্ কুছ আৰাম হো যায়েঙ্গে। হামনে ভি থোৰেছে ঐছি হোতে থে।" চক্ষুলজ্জাৰ খাতিৰত দুই এবাৰ "নাই নাই" কৰিছিলোঁ। কিন্তু ভায়া এৰিবৰ পাত্ৰ নহয়, এবাৰ যেতিয়া কৈছে। আৰু আপত্তি কৰা ভাল নহয় ভাবি ললোঁ। ভাল লাগিল প্লেনত বহি ডাবৰ পানী। বাহিৰ আৰু অন্তৰেৰে বহুত ধন্যবাদ দিলোঁ এই ভাৰতীয় দুই বণিক ভাইক। নাম জানিবৰ কাৰণে মোৰ নামৰ কাৰ্ড দিলোঁ। কলোঁ যদি কেতিয়াবা বোম্বেলৈ যাওঁ তেনে হলে দেখা কৰিম। নাম জানি ললোঁ—শ্ৰীপুনেমচাঁদ ঘাচিলাল জাভেৰি, বোম্বে। কোন ভায়াৰ নাম পুনেমচাঁদ ঠিক কৰিব নোৱাৰিলোঁ। য'ক বাৰু তাতে লাভ-লোকচান একো নাই।

চোতাল ভরি উঠা বোদত বেহবিণ আহি পালোঁ। ইয়াতো সেই একে বকম মাটি। আক একেবকমব দৃশ্য। ভিতবলৈ গৈ ঘুবি আহিলোঁ। ই এটা সক দ্বীপ। বতাহ বব বেছি কাবণে গবম তিমান বুজা নাযায়। দুই ভায়াক নিবলৈ বহুতো আবব আহিছে। সিহঁতব মাজতো বহুত ব্যোমজান দেখা নাছিল। কিছুমানে কোঠালীব ভিতব সোমাই চাই গ'ল। দুপবীয়াব খোৱা বস্তু চলে ইয়াব পবাই। অলপ ববফ দি গ'ল। মই তাব পবা তিনি চাবি ডোখব লৈ থাবলৈ আবম্ভ কবিলোঁ। মোক ববফ খোৱা দেখি বহুতবে মুখ ঘুবুণীয়া হ'ল। আঃ—কি আৰাম! মকভূমিব মাজত ববফ খোৱা এক স্বর্গ সুখ।

"আগব ই ফেবদৌছি—ব্যব-কবে—জমিনাস্ত।
ই হামিনস্ত্—হামিনস্ত্—হামিনস্ত্।"

স্বর্গ যদি আছে
কোনো ঠাইতে।
সি ইয়াতে, সি ইয়াতে
সি ইয়াতে॥

মোৰাব সময় হৈ আহিল। দেশী আক নতুন পবিচিত আববি ভাই সকলব পবা বিদায় লৈ প্লেনত উঠিলোঁ। এইবাব দুশ পয়ষট্টি মাইল। এফালে পাবস্য উপসাগব আক আনফালে এল হাছা (El Hasa) যি ঠাইত মিলিছে ঠিক তাব পবা আমোলোকে যাবলৈ ধবিলোঁ। এফালে বালি আক এফালে লুণীয়া পানী। পিয়াহ লাগিলে পানী পাবব উপায় নাই য'তে ততে। মাজে মাজে ওবেছিছ। তলত মক বাসী বোবব ঘব বিলাকে সক কালব কথা মনত পেলাই দিলে।

গ্যাম্বদাবব পবা আমাব প্লেন আঢ়ৈ, কি বব বেছি হলে তিন হাজাব ফুট ওপবেদি চলিছে। বব গবম লাগিব ধবিছে। তাব ওপবত আকৌ মকভূমিব তপত বতাহ ইয়ুৰ্টব পবা ছটামান—লেমোনেড খালোঁ। তাতে অস্বস্তি বেছিহে হ'ল। কোটটো সোলোকাই থুই পবিলোঁ।

কোয়েটা আহি পালো ভব দুপবীয়া। আমি পোৱাব আগতে ইবাবব পবা ডাক লৈ সক এখন প্লেন হাজিব আছিল। আমাব প্লেনখনব কাষত ইয়াক 'দোতলা বাছ'ব কাষত সক 'টু-ছিটাব' 'বেবী অষ্টিন' যেন দেখাইছিল। ইয়াতো এটা ফোর্ট। এইটো অলপ ডাঙব। বহুত মটব গাবী দেখিলো। গাবী আক মানুহবোবব চালচলন দেখি মনত হয় ঠাই ডোখব বেছ উন্নত। খোৱাব টেবিলত বহি সেই প্লেনব পাইলটব লগত কথা হ'ল। বেচাবাব প্রাণ কণ্ঠাগত প্রায় এই মকভূমিব মাজেবে প্লেন চলাই আনি। তেওঁব কাজ হৈছে ইবাবব পবা কোয়েটালৈ ডাক অনা নিয়া কবা। দেখিলে পুতো হয় এই প্লেন চালক সকলব ওপবত। সকলো সময়তে জীবনটোক হাতব মুঠিব ভিতবত বাখি চলিব লাগে। গীতাব মাহাত্ম্য এওঁলোকেই ভালকৈ বুজে বোধ হয়। 'বাসাংসি জীর্ণানি যথা বিহায় নবানি গৃহ্লাতি নবোঽপবাণি তথা শবীবাণি বিহায় জীর্ণান্যন্যানি সংযাতি নবানিদেহী।'

পবব হিতব কাবণে নিজব জীবনক তুচ্ছ জ্ঞান কবা এইতো পুণ্য। প্লেনত যিবিলাকে কাজ কবে সিবিলাকে কোনেও মাদক দ্রব্য খাব বা পিব নোৱাবে। পিছে এই নিয়মব লবচব হয়; কিন্তু চালক সকলব মাজত বহুতেই ভাল।

—আগলৈ



সঙ্গীত

—শ্রীযুত ধর্ম্মনাথ শাস্ত্রি-কাব্য-ব্যাকবণ তীর্থ

সুবিমল কমলস্থাং বল্গকী ব্যগ্র হস্তাং
অবিবত মুদিতাস্যাং গীতনৃত্যানুবক্তাং।
শশধব কববর্ণাং শুভ্র জ্ঞান প্রদাত্রীং
হৃদয় কমল মধ্যে সাবদাং স্থাপয়াম ঃ॥

কিবা এটা বিষয় আলোচনা কবিব সৃজিলেই জন্ম জন্মতে আলোচ্য বস্তুটো কি তাক জানিবব বাবে সকলোবে মনত এটা হেপাহ ওপজে গতিকে সঙ্গীত কি এই বিষয়ে পোন প্রথমে অলপ আলচ কবা অযৌক্তিক নহব যেন। গান, গীত আদি শব্দব দ্বাবা সাধাবণতঃ আমি যি বুজোঁ অর্থব অলপ হীন-দেহি হিচাবে সেয়েই সঙ্গীত। সঙ্গীতাচার্য্য সকলে সঙ্গীতব লক্ষণ এই দবে কবিছে—'প্রেক্ষণার্থ নৃত্য গীত বাদ্যম্।' দর্শনব নিমিত্তে এক সময়তে কবা নাচ, গান আক বাদ্যব সমাবেশকেই সঙ্গীত বোলে আক এইখিনি কথাকে আন এজন সঙ্গীত শাস্ত্রত সুনিপুণ পণ্ডিতে এনেদবে কৈছে ঃ—

"তাল বাদ্যানুগং গীতং নটিভির্যত্র গীয়তে।
নৃত্যাদ্যানুগতঞ্চ বঙ্গে তৎ সঙ্গীতকমুচ্যতে॥

নাচনী সকলে তাল আক বাদ্য অনুসবণ কবি নৃত্যব লগে লগে নাচ্য মঞ্চত যি গায় তাকেই সঙ্গীত বোলে।

এই সঙ্গীত আচার্য্য ভেদে চাবি প্রকাব—(১) সোমেশ্বব সঙ্গীত (২) ভবত নন্দীত, (৩) হনুমত সঙ্গীত আক (৪) কালনাথ সঙ্গীত। বর্ত্তমান সময়ত হনুমৎ সঙ্গীতেই সুপ্রচলিত।

সংসাবব দুখদগ্ধ সকললৈ দয়া কবি প্রভু শঙ্কবে পোন প্রথমে সঙ্গীত প্রকাশ কবে। ইয়াব প্রমাণ বহুত প্রাচীন পুথিত এইদবে পোৱা যায়।—

"সংসাব দুঃখদগ্ধানামুত্তমানামনুগ্রহাং।
প্রভুনা শঙ্করেণাত্র গীতবাদ্যং প্রকাশিতম্

সংসাবব জ্বালা যন্ত্রণাত দগ্ধ বিদগ্ধ হোৱা সজ্জন সকলৰৈ দয়া কবিবব কাবণেই প্রভু শঙ্কবব দ্বাবা এই সংসাবত সঙ্গীত প্রকাশিত হৈছিল। সংসাবত সুখ সামগ্রীব এই কেইটাই প্রধান ;—

"গীতং পীন পয়োধবা সুবদনা নাবী বিচিত্রা কথা
বম্যং হর্ম্ম্যতলং সুধাংশুকিবণ প্রোদ্ভিপীতা যামিনী।
চিত্তজ্ঞাঃ সুহৃদঃ সুতঃ সুমনসো ভক্তাঃ পুনঃ সেবকাঃ
শুদ্ধং গীতফলং কবিত্বমতুলং সংসাববাসা মতাঃ॥"

গীত, পীন পয়োধবা আক সুবদনী বমণী, বিচিত্র কথা, বমণীয় অট্টালিকা, উজ্জ্বল চন্দ্রব কিবণময়ী নিশা, মনপোৱা বন্ধু, সুন্দব মনস্বী সন্তান, বিনীত সেৱক আক বিমল গীতব ফল অতুলনীয় কবিত্বই সংসাবব সাব বস্তু এই বিলাকব ভিতবতো গীতেই সংসাব সুখব প্রথম আহিলা। এই সঙ্গীতত যাব মন পুলকিত আক বিমোহিত নহয়, যিয়ে ইয়াতো বিমল সুখ অনুভব কবিব নোৱাবে সেই জনব মানব জনম বৃথা। এই কথাকে সঙ্গীতব প্রশংসাব চলেবে সঙ্গীতজ্ঞ সুধী সকলে এনে দবে কৈছে ;

"সঙ্গীতকেন বমোন সুখং যস্য ন চেতসি।
মনুষ্য বৃষভো লোকে বিধিনৈব স বঞ্চিতঃ।

এই পৃথিবীত মনোবম সঙ্গীতব দ্বাবা যাব চিত্তত সুখ নোপজে সেই মহাপুৰুষ বিধাতাব দ্বাবাই বঞ্চিত।

স্ববভেদে সঙ্গীত আকৌ দুইভাগত বিভক্ত, বৈদিক আক লৌকিক। উদাত্ত, অনুদাত্ত আদি বৈদিক স্ববেবে গোৱা গীতক বৈদিক সঙ্গীত আক নিষাদাদি লৌকিক স্ববব সহায়ত গোৱাবিলাকক লৌকিক সঙ্গীত বোলে।

বর্ত্তমান সময়ত আমাব দুখুনী অসমত বৈদিক সঙ্গীতব ধ্বনি নাই বুলিলেও অত্যুক্তি কবা নহয়। কিন্তু পুবণি যুগত এই অসমো (তেতিয়া ধর্ম্মাবণ্য) সাম

গীতির সুমধুর ধ্বনিরে প্রতিধ্বনিত হৈছিল। হায়! বশিষ্ঠাশ্রমৰ সন্ধ্যা, ললিতা আৰু কান্তা এই তিনিও ভনীয়ে আজিও অমীয় কুলু কুলু স্বৰেৰে অতীতৰ সেই মধুৰিমাময় সামগীতিৰ মনোমোহা ঝঙ্কাৰৰ সৌৱৰণী সদৌ অসমীয়াৰ হিয়াত প্রতিধ্বনিত কৰিছে। বৰ আনন্দৰ কথা যে অসমৰ দুই ঠাই মানত দুখনমান বৈদিক টোল স্থাপিত হৈছে আৰু সেই সেই টোলৰ কৰ্ত্তৃপক্ষই তাত বৈদিক স্বৰৰ শিক্ষা দিবলৈ সাধ্য অনুসাৰে যত্ন কৰিছে। আশা কৰো এই টোলৰ পৰা পুনৰায় অসমৰ সেই প্রাচীন কীর্ত্তি ফুটি ওলাব।

সঙ্গীতাচার্য্য সকলৰ মতে সঙ্গীত স্বৰ, ৰাগ, তাল নৃত্য, ভাব, কোক আৰু হস্ত এই সাতোটা অবয়বৰ সম্মিলন।

সঙ্গীতৰ প্রথম অঙ্গ স্বৰ। সঙ্গীতৰ বৈদিক আৰু লৌকিক ভেদে স্বৰবো ভেদ আছে। বৈদিক সঙ্গীতৰ স্বৰ চাৰিবিধ উদাত্ত অনুদাত্ত, স্বৰিত আৰু প্রচিত। উচ্চস্বৰেৰে গোৱা সঙ্গীত উদাত্ত স্বৰৰ, নিম্নস্বৰেৰে গোৱা-বোৰৰ স্বৰ অনুদাত্ত আৰু উভয়ৰ সংমিশ্রণত গোৱা বোৰ স্বৰিত স্বৰৰ। আচার্য্য ভৰতৰ মতে প্রচিত স্বৰহে ছান্দস (বৈদিক) বাকী উদাত্ত, অনুদাত্ত আৰু স্বৰিত স্বৰ লৌকিক।

একে সময়ত বাদ্যযন্ত্র আৰু গায়কৰ কণ্ঠত উত্থিত স্বৰ নিষাদ, ঋষভ, গান্ধাৰ, ষড়জ মধ্যম, দৈবত, আৰু পঞ্চম এই সাত প্রকাৰৰ। এই সাতোটা স্বৰৰ পৰাই সংক্ষেপকৈ উলিওৱা হাৰমোণিয়াম আদি বাদ্য যন্ত্রত গোৱা ষ-ঋ-গ-ম প-ধ-নি আদি গামৰ গত। এই স্বৰ বিধাতাৰ সৃষ্ট প্রাণীবিশেষৰ কণ্ঠধ্বনিৰ পৰা আকলন কৰিছিল। তাৰ প্রমাণ নাৰদৰ এই বচনত স্পষ্ট ভাবে পোৱা যায়।

"ষড়জং বৌতি ময়ূৰোহি গাবো নর্দ্দতি চর্ষভম্।
অজা বিবৌতি গান্ধাৰং ক্রৌঞ্চো নদতি মধ্যমম্।
পুষ্প সাধাৰণে কালে কোকিলো বৌতি পঞ্চমম্।
অশ্বস্ত দৈবতং বৌতি নিষাদং বৌতি কুঞ্জৰোঃ॥"

ময়ূৰৰ কণ্ঠধ্বনিৰ পৰা ষড়জ, গৰুৰ শব্দৰ পৰা ঋষভ, ছাগলীৰ মাতৰ পৰা গান্ধাৰ ক্রৌঞ্চৰ পৰা মধ্যম, বসন্তৰ কুলিৰ কুহু ধ্বনিৰ পৰা পঞ্চম, ঘোড়াৰ (হ্রেষাৰবৰ) পৰা দৈবত আৰু হাতীৰ মাতৰ পৰা নিষাদ স্বৰ লোৱা হৈছিল। সঙ্গীতৰ স্বৰ বিষয়ে বহুত আচার্য্যৰ বহুত মতান্তৰ আছে। সাধাৰণতঃ ষ-ঋ-গ-ম-প-ধ-নি এই সাত স্বৰ। তাৰ উপৰিও এই সপ্ত স্বৰেৰে নিষাদ বর্জ্জিত স্বৰৰ নাম ষড়্‌জা ঋ আৰু প নোহোৱা স্বৰৰ নাম ওড়্‌জা, ইত্যাদি এই দৰে মল্লাৰাদি নানা ৰকমৰ স্বৰ প্রচলিত আছে।

সঙ্গীতৰ দ্বিতীয় অবয়ব ৰাগ। গায়কৰ কণ্ঠগাধিত এই ৰাগ ভৰত আৰু হনুমানৰ মতে ছয় প্রকাৰ—ভৈৰব কৌশিক হিন্দোল, দীপক, শ্রী আৰু মেঘ। তেওঁলোকৰ মতে এই প্রত্যেক ৰাগৰে পাচোটাকৈ ৰাগিণী আছে। সোমেশ্বৰ আৰু কালনাথৰ মতেও ৰাগ ছয় প্রকাৰ আৰু প্রত্যেক ৰাগৰে ৰাগিণী হলে ছয়টাকৈ। সোমেশ্বৰ আৰু কাল নাথৰ মতে ছয় ৰাগৰ নাম শ্রী, বসন্ত পঞ্চম, ভৈৰব, মেঘ, আৰু নট-নাৰায়ণ। আকৌ আন আন কাৰো মতে মালৱ, মল্লাৰ, শ্রী, বসন্ত, হিন্দোল আৰু কর্ণাট, এই ছয় বিধ ৰাগ। মুঠ কথা এই বিষয়ে নানামুনিৰ নানা মত। প্রত্যেক ৰাগৰে যে ছয়টাকৈ ৰাগিণী তাৰ বিৱৰণ এনে দৰে পোৱা যায়:—

ধানসী মানসী চৈব ৰামাকৰী তু সিন্ধৱা।
আশাৱৰী ভৈৱৰী চ মালৱস্ত ইমাঃ প্রিয়াঃ॥ ১॥
বেলাৱলী চ পুৰবী কলিতা মাধৱী তথা।
কোড়া কেদাৰিকা চাপি মল্লাৰ দয়িতা ইমাঃ॥২॥
গান্ধাৰী সুভগাচৈব গৌৰী কৌমাৰিকী তথা।
বেলোৱাৰী চ বৈৱাগী শ্রীৰাগস্ত প্রিয়া ইমাঃ॥ ৩॥
ঢুড়ী চ পঞ্চমী চৈব ললিতা পঠমঞ্জৰী।
গুর্জ্জৰী চ বিভাষাচ বসন্তস্ত প্রিয়া ইমাঃ॥ ৪॥
ময়ূৰী দীপিকা চৈব দেশ কাৰী চ পাহিৱা।
ৰবাৰী মোহৱাটীচ হিল্লোলস্ত ইমাঃ প্রিয়াঃ॥ ৫॥
বিটিকা চাপ ভুপালী ৰামকেলী গড়া তথা।
কামোদা চাপি কল্যাণী কর্ণটস্ত প্রিয়া ইমাঃ॥"

মালৱ ৰাগৰ—ধানসী, মানসী, ৰামাকৰী, সিন্ধুৱা আশাৱৰী, আৰু ভৈৱৰী; মল্লাৰৰ—বেলাৱলী, পুৰবী, ললিতা, মাধৱী, কোড়া আৰু কেদাৰিকা; শ্রীৰাগৰ—সুভগা, গৌৰী, কৌমাৰিকী, বেলোৱাৰী আৰু বৈৰাগী;

বসন্তৰ—ঢুড়ী, পঞ্চমী, ললিতা, পঠমঞ্জৰী, গুর্জ্জৰী আৰু বিভাষা; হিল্লোল ৰাগৰ—ময়ূৰী, দীপীকা, দেশকাৰী, পাহিৱা, ৰবাৰী আৰু মোৱহাটী আৰু কর্ণাট ৰাগৰ—বিটিকা, ভুপালী, ৰামকেলী, গড়া, কামদা আৰু কল্যাণী এই ছয় বিধ, প্রত্যেক বিধ ৰাগৰ ৰাগিণী।

সঙ্গীতত যি কোনো সময়তে যি কোনো ৰাগ বা ৰাগিণী তোলা বিধি নিষিদ্ধ। নির্দ্দিষ্ট সময় মতেহে সঙ্গীত নির্দ্দিষ্ট ৰাগ-ৰাগিণীত গোৱা উচিত। আৰু তেতিয়াহে সেই সেই ৰাগ নাইবা ৰাগিণীৰ মাধুর্য্য ওলায়। এই বিষয়ে সঙ্গীত দামোদৰ নামৰ গ্রন্থৰ শিত্র-নাৰদ সংবাদত এনেদৰে উল্লেখ কৰা আছে;—

"বিভাষা ললিতা চৈব কামোদা পঠমঞ্জৰী।
ৰামকিৰী ৰামকেলী বেলোৱাৰী চ গুর্জ্জৰী।
দেশকাৰী চ সুভগা পঞ্চমী চ গড়া ঢুড়ী।
ভৈৱৰী চাগ কৌমাৰী ৰাগিণ্যো দশ পঞ্চৰা।
এতাঃ পূর্ব্বাহ্ণে কালেতু গীয়ন্তে গায়নোত্তমৈঃ॥

বিভাষা, যোগিতা, কামোদা, পাঠমঞ্জৰী, ৰামকিৰী, ৰামকেলী, বেলোৱাৰী, গুর্জ্জৰী, দেশকাৰী, সুভগা, পঞ্চমী, ঢুড়ী, ভৈৱৰী, আৰু কৌমাৰী, এই পোন্ধৰ বিধ ৰাগিণী উত্তম গায়ক সকলে দিন-মানৰ পূর্ব্বাহ্ণ বেলাত গায়। দিন-মানৰ অহন অহন সময়ৰ বাবেও এই দৰে বিশেষ বিশেষ ৰাগ-ৰাগিণীৰ নাম নির্দ্দেশ কৰা আছে।

তাল—গীত কাল আৰু ক্রিয়াৰ পৰিমাণক তাল বোলে কোন স্বৰ কিমান সময় গাব লাগে, কিমান সময় লাহে ধীৰে আৰু কিমান সময় বেগাবেগিকৈ, কোন হাত, আঙুলি আদি অঙ্গ অবয়ৱৰব আকুঞ্চন বা প্রসৰণ আদি ক্রিয়াৰ দ্বাৰা নাচিব গাব লাগে ইত্যাদি কাল আৰু পৰিমাণ নির্দ্দেশ কৰি দিয়া কার্য্যক তাল বোলে। হৰ-গৌৰীৰ নৃত্যৰ পৰা তালৰ উৎপত্তি হয়। হৰৰ নাচনক তাণ্ডৱ আৰু গৌৰীৰ নাচনক লাস্য বোলে। তাবে পৰাই মতা মানুহৰ নাচনক তাণ্ডৱ আৰু টিৰোতাৰ সুকুমাৰ নাচনক লাস্য বোলা হল। তাণ্ডৱ আৰু লাস্য এই শব্দ দুটাৰ আদি আখৰ 'তা' আৰু 'ল' মিলাই সঙ্গীতজ্ঞ সকলে তাল নাম দিলে। সঙ্গীতাচার্য্য সকলৰ মতে চৰ্চ্চৰ পুট, চাৰপুট, ষটিতা পুত্রকা প্রভৃতি যাঠি প্রকাৰ তাল।

নৃত্য—তাল পৰিমাণ আৰু ৰসৰ লগে লগে লয়লাস যুক্ত অঙ্গবিক্ষেপক নৃত্য বোলে। এই নৃত্যকে তাণ্ডৱ, নটন, নাট্য, লাস্য, নর্ত্তন, নৃত্ত, লাস, লাসিক, নৃতি আদি শব্দেৰে জনা যায় যদিও প্রত্যেকৰে অলপ অলপ পার্থক্য আছে। যেনে উদ্ধত নৃত্যক তাণ্ডৱ আৰু ভাবাশ্রয়ৰ নাচনক নৃত্ত বোলে ইত্যাদি। পুৰণি ঋষি-মুনি সকলে কলিকালৰ পাপ তাপমুক্ত মানৱ জাতিৰ পক্ষে নৃত্য অতি হিতকৰ বুলি কৈছে। সেই যুগৰ বীণ-ৰবাণী মহামুনি নাৰদে কোনো এক প্রসঙ্গত এনে ভাবে উল্লেখ কৰিছে:—

"নৃত্যতাং শ্রীপতেৰগ্রে তালিকাবাদনৈ র্ভৃশম্।
উচ্চীয়ন্তে শৰীৰস্থাঃ সর্ব্বে পাতকপক্ষিণঃ॥"

শ্রীপতিৰ আগত নাচন আৰু বাৰ বাৰ তালবাদ্য কৰিলে শৰীৰত থকা সকলো পাপ পক্ষীয়ে উৰি গৈ দূৰতে বিদূৰ হয়। নৃত্যৰ প্রশংসা ঘোষণা কৰা এনে প্রমাণ ঢেৰ আছে। ৫২৭৪/অ:

নানা অভিনয় সম্পর্কীয় সকলো ৰকমৰ ৰস যি বোৰে বুজাই দিয়ে সেইহেই ভাব। আচার্য্য সকলেও তাৰ বিষয়ে এই কথাকে এনেদৰে কৈছে;—

"নানাভিনয় সম্বন্ধান্ ভাবয়ান্তি ৰসান্ ইমান্।
যস্মাত্তস্মাদমী ভাবা বিজ্ঞেয়া নাটকাশ্রিয়ু॥"

এই ভাব প্রধানতঃ তিনি প্রকাৰৰ—(১) স্থায়ী, (২) ব্যভিচাৰী আৰু (৩) সাত্ত্বিক। ৰতি আদি আঠ প্রকাৰ স্থায়ী, নির্ব্বেদ আদি তেত্রিশবিধ ব্যভিচাৰী, আৰু স্বেদ আদি আঠ বিধ সাত্ত্বিক ভাব মিলি মুঠতে উনপঞ্চাশ প্রকাৰ ভাব।

কোক আৰু হস্তাধ্যায় বাদ্যযন্ত্র আৰু হস্তাদি চালন বিষয়ক।

ওপৰত কোৱা সকলো বিনি কথাই ভাৰতীয় প্রাচ্য-সঙ্গীতৰ বিষয়ৱহে। কিন্তু দেশ, কাল, ভাব, ভাষা আৰু পাত্র ভেদে পৰৱর্ত্তী যুগত পৰিৱর্ত্তনশীল জগতত এই সঙ্গীত বিদ্যাবো পৰিৱর্ত্তন ঘটিছে আৰু ঘটিব লাগিছেই। এই সঙ্গীত বিষয়তো পিছৱ যুগৰ সঙ্গীত সাধক সকলেও নিজ

নিজ অভিকচি আৰু পাণ্ডিত্য মতে কিছুমান সুকীয়া গঢ় দিয়েই আছে। দেয়ে দেশ, ভাষা, ভাব, কাল আৰু পাত্রভেদে নানা ধৰণত পৰিণত হৈ উঠিছে। গতিকে সঙ্গীতৰ তাল মান, সুৰ-সঞ্চাৰ আৰু সেইবোৰৰ নাম আদিও নানা ৰকমে নানাত্ব প্ৰাপ্ত হৈছে। সেই বাবেইছে অসমীয়াৰ ৰবগীত, বিহগীত আদিৰ উপৰিও, হাম্বীৰ কাওয়ালী, ইমান, কল্যাণ খাম্বাজ একতালা আদি আৰু অইন অইন দেশতো কীৰ্ত্তন, ভাটিয়ালি, গজল আদি নানা নাম আৰু সুৰ আদিৰ প্ৰবৰ্ত্তন হৈছে। কিন্তু এইটো স্বতঃসিদ্ধ কথা যে ভাৰতত প্ৰচলিত অধিক ভাগ সঙ্গীতবেই মূলভিত্তি ভাৰতীয় প্ৰাচীন সঙ্গীত বিদ্যাৰ ওপৰতহে প্ৰতিষ্ঠিত।

এই সপ্তাঙ্গ সঙ্গীতমুখাপেক্ষী মানৱ মাত্ৰৰে শিক্ষণীয়। কিন্তু সকলো প্ৰাণীৰ হৃদয় তন্ত্ৰীতে এক প্ৰকাৰ বিধি বিহিত সঙ্গীত লহৰী জীৱনৰ আদিৰ পৰা অন্তলৈকে অজ্ঞানিত ভাবেৰে উঠিবই লাগিছে। এই সঙ্গীতেই প্ৰাণীৰ প্ৰাণ আৰু জীৱৰ পৰমায়ু। প্ৰাণীয়ে এই সংসাৰত প্ৰবিষ্ট হবৰ দিনৰে পৰা আকৌ দেহ পৰিবৰ্ত্তন নকৰালৈকে দিনে ৰাতিয়ে, নিদ্ৰাই জাগৰণে সকলো অৱস্থাতে আৰু সকলো সময়তেই অনবৰত এই বিধ সঙ্গীতৰ লহৰী উশাহ নিশ্বাসৰ লগতে 'হংস' স্বৰূপে তুলিয়েই আছে। যি দিনা যি মুহূৰ্ত্তত এই শ্ৰেষ্ঠ সঙ্গীতৰ সামৱৰণি পৰে সিদিনা সেই মুহূৰ্ত্ততেই প্ৰাণীৰ প্ৰাণ পক্ষী শৰীৰ-সজা এৰি কোনোবা অজানা দেশলৈ উৰি যায়। জীৱন-মৰণ সমস্যা নিহিত এই জীৱন সঙ্গীতেই সকলো সঙ্গীততকৈ শ্ৰেষ্ঠ।

আগেয়ে উল্লেখ কৰা হৈছে যে অসাৰ সংসাৰত এই সঙ্গীত এবিধ প্ৰধান সুখৰ সামগ্ৰী। সঙ্গীতৰ বলতেই তাপিতৰ সন্তপ্ত হিয়াত শান্তিৰ শীতল জলবিন্দু ৰবষে, ৰোগীয়ে ৰোগৰ উপশম অনুভৱ কৰে; আনকি সংসাৰৰ সকলো ৰকম বস্তুতে আসক্তি বিহীন বৈৰাগীৰ হিয়াতো ৰাগৰ প্ৰবল প্ৰবাহ ক্ষিপ্ৰ তীব্ৰগতিৰে ৰবলৈ ধৰে; সেইহে বীণৰবাণী নাৰদে তেওঁৰ বীণা যন্ত্ৰটি হাতত লৈ দিনে ৰাতিয়ে অনবৰত সংসাৰৰ সকলো দিনে 'হৰে কৃষ্ণ-হৰে ৰাম' সঙ্গীত ধ্বনি তুলি ঘুৰিছিল।

এই সঙ্গীতৰ প্ৰভাৱতেই সৰ্ব্বশ্ৰেষ্ঠ সৰ্ব্বনিয়ন্তা ভগৱানো নগণ্য ভকতৰ অধীন হৈ পৰে, যেতিয়া ভকতৰ হিয়াৰ কৰুণ ধ্বনি ভক্ত-বৎসল ভগৱানৰ কোমল কৰ্ণকুহৰত প্ৰবেশ কৰে তেতিয়া আৰু তেওঁ সৰ্ব্বশ্ৰেষ্ঠ প্ৰভু হৈও সেই ভকতৰ ভক্তিৰ অধীন নোহোৱাকৈ থাকিব নোৱাৰে। তেওঁৰ মধুৰ নামৰ সুমধুৰ সঙ্গীতেই তেওঁক ধৰিবৰ একমাত্ৰ সৰঞ্জাম। আৰু তেওঁ তাতেইহে নিজে মাচি দেখ দিয়ে, য'ত তেওঁৰ মধুময় নাম অনবৰত গীত হয়। তাকেই ভগৱানে তেওঁৰ প্ৰিয়ভক্ত দেৱৰ্ষি নাৰদৰ আগত এনেদৰে কৈছিল—

"নাহং তিষ্ঠামি বৈকুণ্ঠে যোগিনাং হৃদয়ে ন চ।
মদ্ভক্তা যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ!॥"

নাৰদ! মই বৈকুণ্ঠধামত নাইবা যোগীৰ হৃদয়-কন্দৰত নেথাকোঁ। কিন্তু মোৰ ভক্ত সকলে য'ত মোৰ স্তুতিগান কৰে তাতেহে থাকোঁ।

সম্ভবতঃ সকলো জগন্নাথ মাত্ৰীয়ে এই খিনি নিশ্চয় লক্ষ্য কৰিছে যে উৰিষ্যাৰ জগন্নাথ মন্দিৰ পুৱমুৱা; আৰু তেওঁক সেৱা কৰিব লাগিলে বোলে পশ্চিম মুৱা হব লাগে। হিন্দুৰ আন সকলো দেৱ-দেৱীয়েই পশ্চিম বা দক্ষিণ মুৱা; আৰু সেইবিলাকৰ সেৱা-পূজা কৰোঁতা সকলেও পুৱ বা উত্তৰ মুৱা হৈছে সেৱা-পূজা কৰিব লাগে। কিন্তু জগন্নাথ মন্দিৰ আৰু মূৰ্ত্তি কি বাবে পুৱ মুৱা এই কথা নিশ্চয় জানিব লগীয়া। এই বিষয়ে এনেদৰে কোৱা এটা কথাৰ প্ৰচলন আছে যে এসময়ত কিবা কাৰণত প্ৰহাপ্ৰভু জগন্নাথে বৌদ্ধমূৰ্ত্তি ধাৰণ কৰি সংসাৰ ধ্বংস কৰিবলৈ ওলোৱাত তেওঁৰ পৰমভক্ত জয়দেৱে তেওঁৰ মন্দিৰৰ পাছফালে বহি চকুলো মুচি মুচি তেওঁৰ স্তুতিগান কৰি মহাপ্ৰভুক সেই ভীষণ কাৰ্য্যৰ পৰা বিৰত কৰিছিল। জয়দেৱে যি ঠাইত বহি তেওঁৰ মধুৰবয়া নামৰ গান কৰিছিল দাকব্ৰহ্ম জগন্নাথেও সেই ফালেই মুখ দি সেই গান শুনিছিল আৰু তেতিয়াবে পৰা তেওঁ চিৰদিনলৈ তেনে হৈয়েই থাকিল। আমাৰ ঠাইত আহতি সকলে জগন্নাথ গোসাঁইৰ নাম গায় "জয়দেৱৰ স্তুতি পাই, পুৱ মুৱা হৈলা বাহু, বাইজক বাখিবৰ মনে।" এই পদ ফাকিয়ে তাবেই অপ্ৰতিদ্বন্দী প্ৰমাণ দিয়ে।

আৱাহন



আইমঙ্গলা তৈল

শিল্পী—শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা

জুয়েল অফ ইণ্ডিয়া প্ৰেছ, কলিকতা

জগতত এনে অইন কোনো পদার্থ নাই যাৰ প্ৰভাৱে সঙ্গীতৰ তুলনাত বেছিকৈ কি মনুষ্য, কি দেৱতা, কি ভোগী, সকলোৱে মন সমানে মুগ্ধ আৰু আকৃষ্ট কৰিব পাৰে। ইয়াৰ প্ৰভাৱতেই অচল অটল হিমাচলৰ দৰে বিশ্বামিত্ৰও বিমোহিত আৰু বিচলিত হৈছিল। ইয়াত অৱশ্যে কামিনী কাঞ্চনৰ ভাব নিহিত আছে। কিন্তু যি সঙ্গীতৰ লগত এই ভাবৰ নাম গন্ধও নাই তাতেইছে সঙ্গীতৰ অতুলনীয় মহিমাময় প্ৰভাব বিবিঙি ওলায়। এই সঙ্গীতেই পাপী-তাপী, দীন-দৰিদ্ৰ, যোগী-ভোগী, দেৱতা মনুষ্য আদি সকলোৱে চিত্ত সমানে আকৰ্ষণ কৰে। সীতা হৰণ, সীতাৰ বনবাস, পাণ্ডৱৰ অজ্ঞাতবাস, ৰেউলা-লখীন্দৰ, নলদময়ন্তী, শ্ৰীবৎস-চিন্তা আদিৰ যাত্ৰা চাই বা গান শুনি কাৰবাৰ মনত কেতিয়াবা আমনি লাগেনে? ইয়াৰ কাৰণত ইয়াকেই বিচাৰি পোৱা যায় যে যি সঙ্গীতত যিমান বিষাদ কাহিনী নিহিত, সেই সঙ্গীতেই সিমান পৰিমাণে সকলোৱে চিত্ত আকৰ্ষণ আৰু মোহিত কৰে। তাকেইছে কোনো এজন পাশ্চাত্য পণ্ডিতে এই দৰে কৈছিল—"Sweetest is the song that tells of the saddest thought, "বিশেষ বিষাদ-বাৰ্ত্তা ব্যক্ত কৰা সঙ্গীতেইছে মধুৰতকৈও মধুৰতম বুলি বিবেচিত হয়।"

সকলো কলাবিদ্যাৰ ভিতৰতে সঙ্গীতো এবিধ সূক্ষ্মকলা (Fine Art)। আৰু এয়েই সকলো প্ৰকাৰ কলা বিদ্যাৰ ওপৰতে নিজৰ প্ৰাধান্য প্ৰকটিত কৰে।

হিন্দুৰ উপাস্য বাগধিষ্ঠাত্ৰী সৰস্বতী দেবীক ঋষিমুনি সকলে বীণাপাণী, বীণাবাদিনী সঙ্গীতৰাণীকপে বৰ্ণনা কৰি গৈছে। তেওঁৰ হাতত থকা কচ্ছপী-বীণাৰ ঝঙ্কাৰ হে পশু পক্ষী কীট-পতঙ্গাদি সকলো প্ৰাণীৰ হৃদয়ন্তত প্ৰতি-ধ্বনিত হৈ বাক্যাভঙ্গী প্ৰস্ফুটিত হৈছে, যাৰ সহায়ত সকলো জীৱ জন্তুৱে ব্যক্ত বা অব্যক্ত সুৱেৰে নিজ নিজ ভাব আনৰ ওচৰত প্ৰকাশ কৰিব পৰা হৈছে। তাকেই হে শাস্ত্ৰজ্ঞ সুধী সকলে এক ৰ'ক্যে উচ্চৈঃস্বৰে আৰু সহস্ৰ মুখে কৈছে—

"ন বিদ্যা সঙ্গীতাৎ পৰা।"*

* এই ক্ষুদ্ৰ প্ৰবন্ধটি অসম সাহিত্য সম্মিলনৰ মঙ্গলদই অধিবেশনত সঙ্গীত শাখাৰ সভাত পঢ়িবৰ বাবে লিখা হৈছিল।—লিখক

পতিতা নে?

গল্প—

—শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামী এম-এ

মাতৃস্নেহৰ অভিজ্ঞতা মোৰ ভাগ্যত নঘটিল। শুনিছোঁ মই পানীকেছুৱা থকা অৱস্থাতে আই জহনী ৰোগত প্ৰাণত্যাগ কৰিছে। যাৰ যত্নত আজি মই ডাঙৰ দীঘল হৈ এই বিনন্দীয়া সংসাৰ দেখিবলৈ পাইছোঁ সেই পেহীদেৱীৰো মইমৰমস্নেহ উপলব্ধি কৰিব পৰা হওঁনহওঁতেই ই সংসাৰৰ পৰা বিদায় লয়। পেহীদেউ ঢুকুৰাৰ পিছত পিতাই মোৰ সকলো বিষয়তে তত্ত্বাবধান লয় আৰু নিচেই কম বয়সৰে পৰা এজন শিক্ষকো মোৰ ভিতিত আঁৰি দিয়ে। সকৰে পৰা পঢ়াশুনাত তেনেই বেয়া নহলেও মোৰ সেইদিনে ৰৰ আগ্ৰহ নাছিল আৰু মাইনৰ পাছ কৰি হাইস্কুলৰ দুৱাৰ-দলিত ভৰি দিয়াৰ লগে লগে ফুটবল, টেনিচ, হকি, ক্ৰীকেট আদি খেলবোৰত আৰু ফলত পঢ়াশুনা বিষয়ত অনুৰাগ ক্ৰমে ক্ৰমে টুটি গৈছিল পিতাই এইবোৰ বাহ্যিক আড়ম্বৰ জীৱনত নিষ্প্ৰয়োজন বুলি ভাবিছিল। পিতাৰ আছিল টকাৰ কাৰবাৰ। যি মানুহে টকাৰ সুদ শুদ্ধকৈ উলিয়াব নোৱাৰে বা যি বেলেগ বেলেগ ধৰণৰ মাটিৰ কালি নিৰ্ভুলকৈ উলিয়াব নোৱাৰে সি পণ্ডিত হলেও মূৰ্খ, জ্ঞান থাকিলেও সি অজ্ঞানী আৰু ৰৰ মানুহ

হলেও সি অপদার্থ। তেওঁৰ বৰ লৰা মোকো তেওঁৰ আহিৰ অনুসৰি তুলিবলৈ যে তেওঁ অহো পুৰুষার্থ কৰিছিল ই একৰকম স্বতঃসিদ্ধ কথা কিন্তু দুর্ভাগ্যবশতঃ তেওঁ যিমানেই চেষ্টা কৰিছিল মই সিমানেই সেই বিষয়ত ভাল হম দুবৰ কথা বেয়াহে হৈছিলোঁ। অৱশেষত তেও মোক একেবাৰেই অপদার্থ বুলি ভাবিছিল আৰু মোৰ ডাঙৰ সাংঘাত একো কামেই নহব বুলি ভবিষ্যদ্বাণীও কৈছিল। তেওঁ মোক অকল অপদার্থ বুলিয়ে ক্ষান্ত নহৈছিল কিয়নো পঢ়াশুনা এবি কেতিয়াবা ২ ঘেল আদি খেলিবলৈ যোৱা গতিকে মই তেওঁৰ অবাধ্য সন্তান বুলিও তেওঁ ইয়াৰ তাৰ আগত প্ৰকাশ কৰিছিল।

হাইস্কুলৰ চম মান শ্ৰেণী পোৱাৰ সময়েৰে পৰা মোৰ হিয়াত নতুন নতুন কিছুমান আশা জাগি উঠিল। পিতা ধনী মানুহ, যথেষ্ট টকা আছে, তেওঁৰ বৰ লৰা মহেই, মাহী মাইৰ দুটা লৰা আছে যদিও সিহঁত তেনেই কেচুৱা— এইবোৰ নাভাবিব লগীয়া ভাব মোৰ মনলৈ ইয়াৰ তাৰ মুখৰ পৰা অহাত মই নিজেই অলপ গৰ্ব্ব অনুভব কৰি আহিব ধৰিলোঁ। হিয়াত লুকা ভাকু খেলি সুমোৱা এই গৰ্ব্বতাৰ লগে লগেই মোৰ প্ৰথমতে বন্ধুবান্ধৱ সকলৰ কথাৰ ওপৰত কথা কোৱাটো অভ্যাস হৈ সেইটো কেতিয়াবা পিছত পিতাৰ আগতো প্ৰকাশ পাই আহিবলৈ ধৰিলে।

এদিনাখন ফুটবল খেলত পৰাজিত হৈ সন্ধ্যা পঢ়াৰ সলনি কোনে বেয়া কিবা মাৰিলে, কাৰ দোষত আমি পৰাজিত হলো, আকৌ দুই এমিনিট সময় পোৱাহেঁতেন ইত্যাদিবোৰ কথা মাষ্টৰৰ আগত কৈ আছোঁ। কিছুসময় এই দৰে ঘোৱাৰ পিছত মাষ্টৰে পঢ়াবলৈ উদ্যত হোৱা গম পাই চাহ আনোঁ বুলি উঠি বাহিৰলৈ আহিব ধৰোঁতে দেখোঁ পিতা ছৰাৰ মুখত থিয় হৈ আছে। তেওঁক দেখা পাই মই অলপ অপ্রস্তুত হৈ পৰিলোঁ। আমাৰ কথাবোৰ তেওঁ কেতিয়াবাবে পৰা শুনি আছিল হবলা কিয়নো তেওঁ ততালিকে মোক হাতত ধৰি লৈ কোঠালীৰ ভিতৰত সোমাল আৰু মোৰ পঢ়াশুনা লৈ নানানখন বকাবকি আৰম্ভ কৰিলে। গেলত হাৰি মোৰ আগৰে পৰা মনত থং উঠি আছিল তাতে আকৌ পিতাৰ এই বকাবকি খনে মোক আত্মবিস্মৃত যেন কৰি পেলালে। মই কলোঁ "এই বিলাক পঢ়িবৰ মোৰ ইচ্ছা নাই। মোক টেক্‌নিকেল্ স্কুলত নাম লিখি দিয়ক। সুদ কছা, মাটি কালি বা বীজগণিত মোৰ মুৰত দুসুমায়।"

মোৰ অবাধ্যতাত পিতাৰ খঙে মুৰৰ চুলি পালেগৈ। তেওঁ আগত থকা মেজখনত চাপৰ মাৰি কলে যে তেওঁ মোক টেক্‌নিকেল স্কুলত নিদিয়ে, সেইবাবে মই হাইস্কুলত নপঢ়িলে বা চনাই খেল দেমালি আদিত যোগ দিলে তেওঁৰ ঘৰৰপৰা ওলাই যাব লাগে। পিতাই এনেকে কোৱা সময়ত মোৰ মনত কেনে ভাব হৈছিল, সেইবোৰ মনত পৰিলে মই এতিয়া নিজকে নিজেই লাজ পাওঁ। তেতিয়া পিতাই কঠোৰ শাসনদণ্ড মোৰ গন্তব্য পথৰ নিদর্শন বুলি নাভাবি ভাবিছিলোঁ অত্যাচাৰৰ সাকাৰ মূর্ত্তি বুলিহে। সেইবাবে মাষ্টৰে, মাহী-মাই আৰু আন আন দুজন এজনে বুজালে যদিও মই সকলোবে আগত ঘৰৰ পৰা ওলাই যাম বুলি স্পষ্টকৈ কৈ দিলোঁ। মোৰ কথা পিতাই ইয়াৰ তাৰ মুখত শুনিলে হয় কিন্তু তেওঁ তেওঁৰ হুকুম অকণ মানো লঘচব নকৰিলে।

মই বাতিটো কোনোমতে কটালোঁ। ভাব-চিন্তাত টোপনি নাহিব বুলি ভাবিছিলোঁ, পিছে আহিল দেখোন। বাতিপুৱা পিতাৰ চদ্দুক খুলি পঞ্চাশ টকা হাতত ললোঁ আৰু মাইমাঁয়ে সোধাত ফুবিবলৈ যাওঁ বুলি কৈ পাগু ষ্টেশ্বনত আহি গাৰীত উঠিলোঁ। মোৰ মনত বৰ বিৰক্তি উপস্থিত হৈছিল। অকল পিতাৰ কেটেৰ জেঙৰ মাতৰ কাৰণে ঘৰখন মোৰ প্ৰতি বিষময় হৈ উঠিছিল। সেই বাবে তেওঁৰ ওপৰত অভিমান কৰি মই ওলালোঁ, কৰে বা কি কৰিবলৈ সেইবোৰ প্ৰশ্ন তেতিয়া মোৰ মনত মূঠেই উঠা নাছিল। সেই সময়ত মোৰ মতে পিতাৰ ঘৰ বাহিৰে অহন সকলো ঠাইয়েই স্বর্গপুৰী।

ঘৰৰ পৰা আঁতৰ হোৱাৰ দুদিনমান পিছৰে পৰা মই লাহে লাহে উপলব্ধি কৰি আহিব ধৰিলোঁ ঘৰৰ বাহিৰত দুখেই নে সুখেই, তথাপি মনৰ পৰা গৰ্ব্ব আঁতৰি নগল। সি মুখেৰে ইমান বৰকথা মাহী মাই মাষ্টৰ

আৰু আন আন দুজন এজন সমনীয়াৰ আগত কৈছো সেই মুখ মই আকৌ তাত কেনেকৈ উলিয়াম— ইয়াকে ভাবি দুখকষ্ট পালেও মনক সান্ত্বনা দিবলৈ চাইছিলোঁ। কেই দিনমান এই দৰে ফুৰি ফুৰাৰ পিছত মোৰ হাতৰ ধন লাহে লাহে ওৰ পৰি আহিবলৈ ধৰিলে। অৱশেষত ঘৰলৈ আহিব খুজিলেও মোৰ টকাৰে নোজোৱা হৈ পৰিল। একো উপায় কৰিব নোৱাৰি শেষত মই এখন চাহ বাগিচাত ওলালোঁ গৈ। বাগিচাখন এগৰাকী উজনি অসমৰ ভদ্রলোকৰ আছিল। অলপ কেইদিন মান থকাৰ পিছত মাহে কুৰি টকা দৰ্ম্মহাৰ এটা কামত সোমালোঁ। প্রথমতে মনেৰে পিতাৰ অজস্র সম্পত্তিৰে সৈতে এই কুৰি টকা বিজাই চাই কামত সোমাৰৰ মনেই নাছিল পিছে কিবা এটা নকৰিলে নচলে আৰু এবাৰ সোমাই লৰ পাৰিলে ভবিষ্যতে নানান সুবিধা ঘটিবৰ আশা থাকে ইত্যাদি বিবেচনা কৰি কাম কৰাকে স্থিৰ কৰিলোঁ।

ঘৰৰ পৰা অহাৰ প্রায় ছমাহ মানলৈ মই পিতাৰলৈ একো চিঠি পত্র লিখা নাছিলোঁ। লাহে লাহে পিতাৰ নিষ্ঠুৰ প্রকৃতি যেন মোৰ মনত কোমল হৈ পৰিল। তেওঁ যেন মোৰ বাবে চিন্তা কৰি সদায় দুখ কৰে, তেওঁৰ যেন জীৱনটো মোৰ কাৰণেই অশান্তিত আবৃত হৈ পৰিছে— এই বোধ ভাব মোৰ মনলৈ ঘনাই আহিবলৈ ধৰিলত মই পিতাৰলৈ চিঠি লিখিলোঁ। বহু দিনৰ মুৰত মোৰ খবৰ পাই পিতাই বোধ কৰোঁ বৰ আনন্দ পাইছিল কিয়নো খৰচৰ কাৰণে পোন্ধৱটা টকাৰে সৈতে তেওঁ এখন চিঠিৰে মোক চাকৰি এৰি ঘৰলৈ যাবলৈ মাতি পঠাই-ছিল।

পিতাৰ চিঠিখন পঢ়ি মোৰ সঁচাকৈয়ে চকুপানী ওলাল —মই সিদিনাহে ভালকৈ বুজিবলৈ পাৰিলোঁ পিতাৰ ওপৰত ধৰ কৰি মই কিমান ভুল কৰিছোঁ। কিন্তু এতিয়া চাকৰিটো এৰি ঘৰত পিতাৰ বোজা এটা হৈ থকাটোও কেনেবা কেনেবা লাগে। বিশেষ নিজেই দুপইছা উপার্জ্জন কৰি অইনৰ ওচৰত হাত নপতাকৈ চলাটোও যে এটা ডাঙৰ সুখ তাবো অভিজ্ঞতা অলপ অচৰপ পালোঁ। এনে স্থলত চাকৰি এৰি দিয়া যুক্তিসঙ্গত বিবেচনা নকৰিলোঁ। আৰু সেই বাবে পিতাক দুখ নকৰিবলৈ কৈ কিছুদিনৰ পিছত ছুটী লৈ যাম বুলি এখন চিঠি ডাকত দিলোঁ।

ঘৰলৈ যাম যামকৈ থকাতে দিনৰ পিছত দিন, মাহৰ পিছত মাহ এনেদৰে গৈ প্রায় দুবছৰ পাৰ হল। ঠিক এনে সময়তে মই কেবাদিনো অৱত ভুগিলোঁ। ঔষধ পাতি কিবাকিবি খালোঁ যদিও মোৰ গাৰপৰা অৱ নিছিঙিল আৰু মই দিনক দিনে দুৰ্ব্বল হৈ আহিবলৈ ধৰিলোঁ। এই অসুখৰ সময়ত মোৰ ঘৰলৈ ঘনাই ঘনাই মনত পৰিবলৈ ধৰিলে। ঘৰত কেতিয়াবা অসুখ হলে চাকৰ নাকৰ আদি সকলোৱে কেনেকৈ মোৰ তদাৰক লয়, কেনেকৈ লাগ বুলিলেই কোনো এটা বস্তু পাওঁ—ইত্যাদি কিছুমান পুৰণি স্মৃতিয়ে বৰ বেবাৰ সাজপাৰ পিন্ধি মোৰ অন্তৰত উজলি উঠিল আৰু লগে লগে মোৰ এটা ডাঠ বিশ্বাস হল যে ইয়াত থাকিলে মোৰ গা কোনোমতে ভাল নহয়।

সেই বাবে এদিনাখন গাত ১০০° ডিগ্রী জ্বৰ থকা স্বত্ত্বেও ঘৰলৈ বুলি ৰওনা হলোঁ। দুর্ভাগ্য বশতঃ গাৰীত উঠাৰ লগে লগেই মোৰ জ্বৰ ক্রমাৎ বাঢ়ি আহিবলৈ ধৰিলে। এখন বেঞ্চত বিচনাখন মুলি শুই পৰিলোঁ। হয় কিন্তু টোপনি নাহে—মুৰৰ বিষ আৰু পানীৰ পিয়াহত চট্‌ফট্ কৰিব ধৰিলোঁ। মোৰ লগত এটোপ পানী বাঁ বেমাৰীয়ে খাব পৰা এটি বস্তুও নাই—ওচৰত এনে কোনো চিনাজনা মানুহো নাই যে তেওঁ মোক এ আষাৰ মাত দিব নাইবা মৌলে কিবাকিবি কিনি আনি দিব। প্রায় ২।২॥ ঘণ্টা এই দৰে অতিবাহিত হোৱাৰ পিছত নৈশ অন্ধকাৰে জগত আবৰি পেলালে। বাতি অহাৰ লগতে যেন মোৰ মনত নানান নতুন নতুন ভয়ৰ সঞ্চাৰ হবলৈ ধৰিলে। "বোধ হয় এইবাৰ আৰু ঘৰ দেখা নাপাম।" কথাবাৰ ভবাৰ লগে লগেই মোৰ অন্তৰৰ পৰা এটা দীঘল দুমুনিয়া বৈ পৰিল আৰু আপোনা আপুনিয়ে দুয়োটা চকুৰ কোণত দুটোপা চকুপানী বিৰিঙি ওলাল। "এনে সময়ত যদি এ আষাৰ মাত বা এটুপি পানী পালোঁহেঁতেন!"

গাৰীৰ আৰোহী সকলোবিলাকেই মোৰ অৱস্থা দেখিছে

কিন্তু কোনোরে মোক সহায় কবিবলৈ আগবাঢ়ি অহা নাই। "মই এটা ক্ষুদ্র প্রাণী—মোৰ বিষয় ইবিলাকৰ ভাবিবৰ কি দৰকাৰ ?" হঠাৎ কোঠালীতে থকা এগবাকী ভদ্র মহিলাৰ পিনে মোৰ চকু পবিল। তেওঁৰ বয়স ২২।২৩ বছৰ মান হব। তেওঁ ক'ব, কি কবে, কৈলে যাব মই একোৱেই কব নোৱাৰোঁ। বোধ কৰোঁ, এই মহিলা গবাকীয়ে মোৰ দুখত বৰ দুখ পাইছিল আৰু আঙুলিয়াই তেওঁৰ ওচবতে অৰ্দ্ধশায়িত হৈ থকা এজন মানুহক কিবাকিবি কৈছিলো। মানুহজনৰ তেতিয়া টোপনি আহৈ আহোঁ। হৈছে যেন লাগিল ; মহিলা গবাকীৰ কথাৰ উত্তৰ স্বৰূপে তেওঁ কিবাকিবি কৈছিল যদিও গাৰীৰ ঘৰ্ঘবনি শব্দৰ কাৰণে মই "কি দৰকাৰ" এই কথা খিনিৰ বাহিবে অইন একো শুনিলোঁ। ইয়াৰ অলপ পিছতে গাৰীৰ আবোহীবিলাক প্রায় সকলোৱেই যেয়ে যতে যেনেকৈ পাবিলে শুই পবিল। ঠিক এনে সময়তে সেই মহিলাগবাকীয়ে তেওঁৰ ঠাইৰ পৰা উঠি আহি মোৰ ওচবত বহিল আৰু মোৰ কপালত হাত দি অতি আদবেৰে সুধিলে "বোপা, তোমাৰ কি হৈছে ? কৈলে যাবলৈ আহিছা ?"

অচিনাকী তিবোতা এগবাকীৰ মুখত চেনেহপূর্ণ কথা শুনিবলৈ পাই মোৰ অন্তৰ কৃতজ্ঞতাবে উপচি পবিল যদিও মই তাক প্রকাশ কবি কবলৈ নোৱাৰিলোঁ কিয়নো, তেতিয়া যেন মোৰ বাক্‌শক্তি প্রায় বোধ হৈছে। মই হাতৰ আঙুলিবে দেখুৱাই পানী খাবলৈ ইচ্ছা প্রকাশ কবিলোঁ। তেওঁ উঠি নিজৰ টিফিন কেবিয়াৰ খুলি মোৰ মুখত অলপ পানী দিলে আৰু ওচবতে বহি মোৰ মুবটো অলপ অলপকৈ টিপি দিবলৈ ধবিলে। মোৰ এনে দুৰবস্থাৰ সময়ত এই মহিলা গবাকী সবগৰ কোনোবা অপেৰখী যেনহে লাগিল আৰু তেওঁৰ কোমল হাতৰ পৰশ মোৰ প্রতি মৃত্যু সন্তিবনী হৈ পবিল। তেওঁৰ তত্বাবধানতেই যেন মোৰ আধাআধি অসুখ কমি গল। মই তেওঁক কি কম, কিহেবে অন্তৰ উপচি পবা কৃতজ্ঞতা জনাম একো বিচাবি নাপালোঁ—সেই বাবে মই ভেবা লাগি তেওঁৰ নিপোটল মুখ খনিলৈ চাই থাকিলোঁ। তেওঁ সুধিলে "অলপ ভাল পাইছানে ?" মই কলোঁ "পাইছোঁ।" আপুনি নোহোৱা হলে মই আজি ইয়াতে মবিলোঁহেঁতেন।" তেওঁ মোৰ মুৰ আৰু কপাল পিহি দি কলে "তুমি সেই বিলাক নাভাবিবা। বাৰু, তুমি যাবা কৈলে ?" "পাণ্ডুলৈ।"

তেনেহলে তুমি অলপ শুৱা। মই তোমাক বিচি থাকোঁ। পাণ্ডু ষ্টেচনত আমি তোমাক নমাই দিম।"

মই আকৌ কিবা কথা সুধিবলৈ আবম্ভ কবোঁতেই তেওঁ মোক বাধা দি শুবলৈ কলে আৰু ওচবত বহি মোৰ মুবটো অলপ অলপকৈ বিচি দিবলৈ ধবিলে। তেওঁৰ তত্বাবধানত মই এনে এটা অপার্থিব সুখ পালোঁ যে মোৰ গাবণবা যেন সকলো আলা যন্ত্রণা আঁতবি গল আৰু মই নিদ্রা দেবীৰ কোলাত অচেতন হৈ পবিলোঁ।

বেলি প্রায় আঠোটা মান বজাত মহিলা গবাকীয়ে টোপনিৰ পৰা জগাই দি পাণ্ডু ষ্টেচনৰ নিচেই ওচৰ পোৱাহি বুলি কলে। মই উঠি বহিলোঁ আৰু মহিলা গবাকীৰ আদেশ মতে এজন চাকবে মোৰ বিচনাখন বান্ধি দিলে। অলপ সময়ৰ পিছতেই গাৰী আহি পাণ্ডু ষ্টেচনত বল। মহিলা গবাকী আৰু তেওঁৰ চাকব জনৰ সহায়ত মই কোনোমতে গাৰীৰ পৰা নামি ষ্টেচনঘৰ পালোঁহি। তাতে চাকব জনে মোৰ বাবে এখন মোটৰ গাৰী বন্দবস্ত কবি দি তেওঁলোকে জাহাজলৈ খোজ ললে আৰু মংগা আজি প্রায় তিনি বছৰৰ মুবত ঘবমুৱা হলোঁ।

ইমান দিনৰ অন্তত মোক দেখিবলৈ পাই পিতাই অন্তবত ভালেই পাইছিল নে বেয়াই পাইছিল মই বব ভালকৈ কব নোৱাৰোঁ। কিন্তু মোৰ অৱস্থা দেখি তাতিলিকে তেওঁ ডাক্তৰ কবিবাজ সকলোকে মাতি আনি মোৰ চিকিৎসাৰ এটা সুবন্দবস্ত কবি দিছিল। মোৰ বেমাবৰ শৃঙ্খলাবদ্ধ চিকিৎসা চলিল সঁচা কিন্তু বিশেষ উপকাৰ হোৱা যেন নাপালোঁ কিয়নো প্রায় ২৫ দিনৰ অন্তত জ্বৰ বন্ধ হল যদিও তাব এগাহাৰ পিছতেই আকৌ সাধাবণ ভাবে জ্বৰে দেখা দিলে। এই জ্বৰত বহুদিনলৈ ভূগি মই স্বাস্থাহীন আৰু উদ্যমহীন হৈ পবিলোঁ। নিয়মিত শয়ন ভোজন আৰু দীর্ঘকাল ঔষধ ব্যৱহাৰৰ পিছত যি হওক মই

বহুতো উপকাৰ পালোঁ আৰু লাহে লাহে নিজৰ ভবিষ্যতৰ বিষয় ভাবিলোঁ।

গা ভাল হৈ উঠাৰ লগে লগে মোৰ মনত পবিল গাৰীত লগ পোৱা সেই স্নেহময়ী মহিলা গবাকীলৈ। যদি তেওঁ সিদিনা গাৰীত উপস্থিত নাথাকিলহেঁতেন তেতিয়া মোৰ কি দশা হলহেঁতেন—মই হয়তো এটুপি পানীৰ পিয়াহত, এআষাৰ সহানুভূতি সূচক মাতৰ অভাবত প্রাণত্যাগ কবিলোঁহেঁতেন ? মই দিমানেই ভাবো সিমানেই যেন তেওঁ স্বর্গীয় জ্যোতি লৈ স্মৃতিৰ পটত উজলি উঠে ; কিন্তু মই এনে অকৃতজ্ঞ যে যাবব সময়ত তেওঁক মই সবম অন্তঃকবণৰ ধন্যবাদ দেখাও জনাবব নহল। আকৌ এবাৰ যদি তেওঁক লগ পালোঁহেঁতেন তেন্তে মোৰ এই হিয়া উবুবিয়াই কলোঁহেঁতেন "আই, তুমি মোৰ জীবন-দাত্রী জননী।" যেতিয়াই মই ষ্টেচনলৈ বা অইন কোনো ঠাইলৈ গাবীত যাওঁ তেতিয়াই মোৰ মনত ভাব হয় "আজি হয়তো তেওঁক আকৌ লগ পাম।" প্রত্যেক দিনেই সতৃষ্ণ নয়নে গাৰীৰ ইমুবৰ পৰা সিমুবলৈ চাওঁ আৰু প্রত্যেক দিনেই বুকুভবা বেদনা লৈ ঘবলৈ ওলতো। তেওঁবা কলে গ'ল। এই বিশাল ব্রহ্মাণ্ডৰ মাজত মই আৰু তেওঁক বিচাবি পামনে ?

গা ভাল হৈ কেমাহমান ঘবতে থকাৰ পিছত মোৰ নিজৰ ভবিষ্যতলৈ ভাবি অশান্তিতে দিন কটাবলৈ ধবিলোঁ। তেতিয়াহে মনলৈ আহিল পঢ়াশুনা এবি দি মই কেনে বেয়া কাম কবিলোঁ। কিন্তু তেতিয়া অনুশোচনা আহিলে কি হব—তেতিয়া সময় অতীত হৈ গল। সুবিধা মানুহৰ জীবনত সময় অনুসবিহে আহে আৰু সেই সুবিধাক সময় মতে কার্য্যত খটাব নোৱাবিলে সি আমাক দুখ সাগবত পেলাই থৈ কববালৈ উৰি গুচি যায়।

কেবাদিনো ভাবিলোঁ। শেষত স্থিব কবিলোঁ যে মই কলিকতাত এখন প্রেছত কাম শিকি নিজেয়ে এখন প্রেছ চলাম কথাটো পিতাৰ আগত প্রকাশ কবি কলো ; তেওঁ প্রথমতে সন্মতি দিয়া নাছিল কিয়নো তেওঁ কৈছিল যে মই একো নকবাকৈ ঘবতে বহি মাটি বুত্তিখিনি চলালেও যাবলৈ পাম। মই হলে এইবাৰ পিতাৰ খং দুতুলি বুজাই কলোঁ যে প্রেছ এখন ভালকৈ চলাব পাবিলে সম্মানো আছে আৰু টকাবো যথেষ্ট আয় হবব সম্ভাবনা।

বহুতো ওজৰ আপত্তিৰ আৰু বিবেচনা পবামর্শৰ অন্তত পিতাই যি হওক মোক কলিকতালৈ পঠাবলৈ মান্তি হল আৰু মংগা মোৰ জীবনৰ এটি গঢ় দিবলৈ বুলি কলিকতালৈ ওলালোঁ। প্রথমতে গোলমাল আৰু হাই উকমিৰ মাজত তাত বাস কবি থকাটো এটা শাস্তি বুলিহে মই অনুমান কবিলোঁ। কিন্তু অলপ কেইমাহ মানব পিছতেই মোৰ মনন পৰা এই ভাব আঁতবি গল—এইবোৰ হাই উকমি, এইবোৰ গোলমাল কর্ম্মময় জীবনৰ নিত্য প্রয়োজনীয় বুলিহে মই লাহে লাহে বিবেচনা কবিব ধবিলোঁ।

কলিকতাত কেমাহমান থকাৰ পিছত এদিন সন্ধ্যা অকলে অকলে চহবব এটা নতুন বাটেদি ইফালে সিফালে চাই গৈ আছো। কিছুদূব যোৱাব পাছত এটা পকী ঘবব দোতালাৰ বাবেণ্ডাতে সেই মহিলা গবাকীক দেখিবলৈ পাই মনতে বব আনন্দ পালো আৰু ঘবব দুৱাৰ মুখৰ পিনে খোজ ললোঁ। ঘবব একেবাবে ওচবত গৈ অলপ সময় থমকি বলোঁ, ভাবিলোঁ "মই এনে ভাবে তেওঁৰ ওচবলৈ যোৱাত তেওঁ যদি বেজাব পায় ?" হঠাৎ মোৰ চকু পবিল সেই ঘবতে আবি থোৱা এখন চাইন বোর্ডলৈ। তাত লিখা আছে "শ্রীযুক্ত গায়িকা মিচ্ অমলা।" মই অবাক হলোঁ। "মিচ্ অমলা !" তেন্তেহঁলে মোৰ জীবন-দাত্রী আকৌ এবাৰ মুখ তুলি চাই দেখিবলৈ পালোঁ তেওঁ চেয়াবৰ পৰা উঠি বেলিঙত ধবি মোৰ পিনে তললৈ একেথবে চাই আছে। মই ঘবব ভিতবলৈ সোমাই গলোঁ। মই ভিতবলৈ মোৱা দেখি দুৱাৰ মুখব কাষতে থকা কেইজনীমান তিবোতাই মোৰ পিনে চাই মুখ টিপি টিপি হাঁহিলে। সেই বোবলৈ ববকৈ চকু-কাণ নিদি মই একেবাবেই দোতালালৈ উঠি তেওঁক আই বুলি মাত লগালোঁ। মোৰ এই মাতব কাবণেই নে কিহব কাবণে কব নোৱাৰোঁ তেওঁ ভালেখিনি সময় মোৰ পিনে একো নমতাকৈ চাই থাকিল। তেওঁব

মনৰ সন্দেহ আঁতৰাবৰ মনেৰে কেনেকৈ তেওঁৰ যন্ত্ৰতে মই ঘৰ পাইছিলো ইত্যাদি সকলো ভাঙ্গিপাতি কলোঁ। মোৰ কথাখিনি তেওঁ ধৰ মনোযোগেৰে সৈতে শুনিলে। হঠাৎ তেওঁৰ দুচকুৰেদি দুটোপমান চকুপানী ওলাই পৰিল। হাতত থকা কমাল খনেৰে চকু দুটা মোহাৰি এটা দীঘল দুমুনিয়াৰ অন্তত তেওঁ কলে "বোপা মই কোন তুমি জানানে?"

তেওঁৰ প্ৰশ্নৰ উত্তৰ স্বৰূপে মই কলোঁ যে মই তেওঁক আই বুলিয়েই জানোঁ—তাৰ বাহিৰে মই তেওঁৰ বিষয় একোৱেই নাজানোঁ।

মোৰ কথাখিনি শুনি তেওঁ একেবাৰেই মোৰ ওচৰলৈ আহিল আৰু কলে "বোপা মই সমাজৰ হেয়, তোমালোক আটাইৰে নিন্দাৰ পাত্ৰী এজনী পতিতা।"

পতিতা! মই যি সন্দেহ কৰিছিলোঁ ঠিক সেয়েই। কিন্তু পতিতাৰ কি প্ৰাণ নাই, পতিতাৰ অন্তৰত কি মাতৃত্বৰ মহিয়সী শক্তি এক মুহূৰ্তৰ বাবেও জাগৰিত হৈ হুঠে? সিইতে ইমানেই বেয়াকৈ যে কোনো এটা মহৎ কামৰ প্ৰতিদানো সিইতে পাব নোৱাৰে? তেওঁ মোৰ আগত ইচ্ছা কৰিলে আত্মগোপনো কৰিব পাৰিলেহেঁতেন কিন্তু তাকে নকৰি তেওঁ সকলো কথা মোৰ আগত ভাঙ্গিপাতি কৈছে। এইবোৰ কাৰণত মোৰ তেওঁৰ প্ৰতি ভক্তি আৰো চৰিলছে। মই তেওঁৰ ভৰি দুখনত সাৱটি ধৰি কলোঁ "আই—তুমি যিয়েই নোহোৱা তথাপি তুমি মোৰ জননী। মই সকৰে পৰা মাতৃহীন—তোমাক দেখাৰে পৰা মই তোমাক মাতৃমূৰ্ত্তি বুলি পূজা কৰিছোঁ। তুমি অইনৰ চকুত পতিতা হব পাৰা কিন্তু মোৰ চকুত তুমি এক স্বৰ্গৰাজ্ঞা।"

মোৰ কথাত পতিতাৰ মুখখনি যেন এক স্বৰ্গীয় জেউতিৰে উপচি পৰিল। মই তেওঁৰ মুখলৈ চাই দেখিলোঁ ই যেন মোৰ স্তুতিৰ পটত উজলি থকা ঠিক সেই দেবী প্ৰতিমাৰ চেনেহ সনা মুখ। মোৰ মনতে ভাব হল "এনেকুৱা স্বৰ্গীয় জেউতি লৈ এওঁ সঁচাকৈয়ে পতিতানে?"

উদ্ভিদ আৰু প্ৰাণী জগতৰ সম্বন্ধ

—শ্ৰীযুত মাধবচন্দ্ৰ দাস এম-এচ-চি

উদ্ভিদ বোলোতে আমি সাধাৰণতে বুজো মাটি ফুটি যিবোৰ বস্তু ওলায়। আচলতে চাবলৈ গলে দেখা যায় যে উদ্ভিদ জগতত এনে কিছুমান বস্তু আছে যাৰ মাটিৰ লগত কোনো সম্পৰ্কই নাই, তথাপি সিইত উদ্ভিদ জগতৰ ভিতৰুৱা। আমাৰ চকুৰ আগতে দিনে ৰাতিয়ে কত হাজাৰ হাজাৰ লাখ লাখ গছ দেখো, নিতৌ সিইতৰ লগত কিমান খেলা কৰো, কিমান লাৰা-চাৰা কৰো, আনকি জীৱনৰ প্ৰতি মুহূৰ্ত্ততে সিইতৰ লগত আমাৰ সম্পৰ্ক। গোটেই প্ৰাণী জগতেই উদ্ভিদজগতৰ ওচৰত ধৰকৱা, কিন্তু আচৰিত যে এই উদ্ভিদ জগতৰ এটি সাধাৰণ কথা জানিবলৈও আমাৰ আগ্ৰহ নাই। এই উদ্ভিদবোৰ নো নিজীৱ নে সজীৱ, কি খায়, কি কৰে, কৰ পৰা আহে কলে যায়, এই বোৰ কথাতো এদিনলৈও আমাৰ মনলৈ নাহে। বাস্তৱতে চাবলৈ গলে এই উদ্ভিদ জগতৰ ভিতৰতে কিমানবোৰ জগতৰ ওচৰ বহুত সোমাই আছে তাক ভাবিলে অবাক নহৈ নোৱাৰি। এটি সাধাৰণ, অতি সাধাৰণ যাঁহৰ পাত, তাৰ ভিতৰত যে প্ৰকৃতিৰ কিমানবোৰ সত্য, কিমানবোৰ ওচ বহুত সোমাই আছে, তাৰ তথ্য বোধ কৰো এটি জীৱনৰ ভিতৰতো আবিষ্কাৰ কৰি উলিয়া টান। ভাবিলে বিস্ময় মানিব লাগে, এই প্ৰকৃতিৰ কাৰ্য্য-কলাপ।

আজিৰ জগতক বোধকৰো আকো নতুন কৈ কব নেলাগে যে এই উদ্ভিদ শ্ৰেণীও আন আন জীৱ-জন্তুৰ দৰে প্ৰাণ থকা বস্তু। সাধাৰণতে আমি বুজো যে যাৰ প্ৰাণ আছে তাক প্ৰাণী, বোলে, এতেকে উদ্ভিদবোৰো এক শ্ৰেণী প্ৰাণী, কিন্তু সাধাৰণতে প্ৰাণী বুলিলে অকল কেৱল জীৱ জন্তুকহে বুজায়। প্ৰাণী জগতৰ সম্বন্ধ যে উদ্ভিদ জগতৰ লগত কিমান বেছি তাক কৈ অন্ত কৰিব নোৱাৰি।

জীৱিত বস্তু বোৰৰ জীৱনাৱলী, আকাৰ, গঢ়, বাঢ়ন ইত্যাদি যি বিজ্ঞান শাস্ত্ৰৰ পৰা জানিব পাৰি তাক জীৱ বিজ্ঞান (Biology) বোলে। এই জীৱ বিজ্ঞান

মূঠতে দুভাগ কৰিব পাৰি যেনে, উদ্ভিদ বিজ্ঞান (Botany) আৰু প্ৰাণী বিজ্ঞান (Zoology) এই বিশাল পৃথিবীত থকা মাটি ফুটি ওলোৱাই হওক বা মাটিৰ ওপৰত থকাই হওক সকলোবোৰ গছ-গছনি আদি এই উদ্ভিদ বিজ্ঞানৰ ভিতৰুৱা। এই দৰে প্ৰাণী বিজ্ঞানতো পৃথিবীত থকা আটাইবোৰ জীৱ-জন্তু পৰে। এই দুই শ্ৰেণী জীৱৰ সমষ্টিতে আজি পৃথিবীৰ স্থিতি। এই দুই শ্ৰেণী জীৱৰ ভিতৰত ভালকৈ খুটি নাটি কৰি বিচাৰিলে দেখা যাব যে পাৰ্থক্য নিচেই কম। সেয়ে লৰ্ড লিটনে এবাৰ কৈছিল যে উদ্ভিদবোৰ জড় জীৱ (anchored animals) আৰু প্ৰাণী বোৰ লবিচবি ফুৰিব পৰা গছ (moving plants) উদ্ভিদ বোৰো প্ৰাণীবোৰৰ দৰে জীৱ থকা বস্তু, প্ৰাণী বোৰৰ দৰে জন্মে, প্ৰাণীবোৰৰ দৰে বাঢ়ে, প্ৰাণীবোৰৰ দৰেই মৰে। আন জীৱ-জন্তুবোৰৰ দৰেই জীৱনধাৰণ কৰিবলৈ বায়ুসেৱন কৰে। যদিও এই বায়ু সেৱন প্ৰণালী সাধাৰণতে আমাৰ চকুত নপৰে কিন্তু আচলতে পাৰ্থক্য একো নাই। জীৱজন্তু বোৰ নাকৰ সহায়ত অম্লজান (oxygen) বায়ু ভিতৰলৈ নিয়ে আৰু এঙ্গাৰাম্লক (carbondioxide) বায়ু বাহিৰলৈ উলিয়াই দিয়ে। গছেও ঠিক সেই দৰে এঙ্গাৰম্লক বায়ু সেৱন কৰে আৰু অম্লজান বায়ু বাহিৰলৈ উলিয়াই দিয়ে। অৱশ্যে এই খিনিতে সুধিব পাৰি যে গছবতো আন আন জীৱ জন্তুৰ দৰে নাক নাই, বায়ু সেৱন কৰে কেনেকৈ? যদিও আচলতে গছৰ নাক নাই কিন্তু বায়ু সেৱন কাৰ্য্য চলে আন উপায়ে। প্ৰত্যেক গছৰ পাতৰ তল পিঠিত বহুত বোৰ সৰু সৰু ছিদ্ৰ (stomata) আছে এই ছিদ্ৰবোৰৰ যাৱাই গছ বাহিৰৰ বতাহৰ পৰা অম্লজান বায়ু টানি ভিতৰলৈ নিয়ে। খাস প্ৰণালী গছৰ এই দৰে চলে।

উদ্ভিদ আৰু প্ৰাণী বোৰৰ আচল মূল পদাৰ্থ হৈছে, জৈৱ পদাৰ্থ (Protoplasm) জীৱ বোৰৰ আচল জীৱনী শক্তি আৰু প্ৰাণ এই জৈৱ পদাৰ্থৰ মাজতে সোমাই আছে। এই জৈৱ পদাৰ্থ হৈছে এবিধ জীৱিত বস্তু। জীৱ জগতৰ প্ৰাণ এই জৈৱ পদাৰ্থৰ মাজেদি সঞ্চালিত হৈ আহিছে। মুঠতে কবলৈ গ'লে এই জৈৱ পদাৰ্থই হৈছে আচল প্ৰাণ। তাৰ পাছত আহাৰ—এই আহাৰৰ সামঞ্জস্যও হুয়া শ্ৰেণী জীৱৰ ভিতৰতে একে। প্ৰাণী বোৰৰ দৰে জন্ম ধাৰণ কৰিবলৈ, বাঢ়িবলৈ, জীৱন ধাৰণ



পাতৰ তল পিঠিত থকা ছিদ্ৰবোৰ (stomata) এইবোৰ ছিদ্ৰৰ সহায়ত গছবোৰে বতাহৰ পৰা এঙ্গাৰম্লক ভিতৰলৈ নিয়ে আৰু এইবোৰৰ সহায়তে গছৰ খাস প্ৰণালীও চলে। মোহাতৰ ছবিটি এটা ছিদ্ৰৰ আকাৰ ডাঙৰকৈ দেখুওৱা হৈছে।

কৰিবলৈ বংশ উৎপাদন কৰিবলৈ, গছ-গছনিকো আহাৰ লাগে। যদিও এই আহাৰৰ আকাৰ আমি বাহিৰত দেখাত বেলেগ বেলেগ দেখো, কিন্তু আচলতে হুয়া শ্ৰেণী জীৱৰ ভিতৰতে আহাৰৰ গঠন একে। প্ৰাণীবোৰে লবচব কৰি আহাৰ বিচাৰি আনি উদৰস্থ কৰে। কিন্তু গছ বোৰে একে ঠাইতে থাকিয়েই মাটি আৰু বায়ুৰ পৰা আহাৰৰ সামগ্ৰী গোটাই লৈ নিজৰ আহাৰ তৈয়াৰ কৰি লয়। প্ৰাণীবোৰৰ হাত মুখ বা আন আন অঙ্গ প্ৰত্যঙ্গৰ দৰে গছবো কিছুমান অঙ্গ-প্ৰত্যঙ্গ আছে যাৰ সহায়ত আহাৰ গোটায়। যদিও এই অঙ্গ-প্ৰত্যঙ্গবোৰ অতি সূক্ষ্ম তথাপি সিইতে নিজৰ কাম অনায়াসে কৰিব পাৰে।

লবচব কৰিব পৰা (movement) শক্তিয়ে হৈছে জীৱনৰ বিশেষত্ব। এই বিশেষত্ব সাধাৰণতে প্ৰাণী-জগতৰ জীৱ জন্তু বোৰৰ মাজত বিশেষ ৰূপে দেখা যায়, কিন্তু উদ্ভিদ ৰ মাজত হলে সাধাৰণতে দেখা নাযায়, যদিও

উদ্ভিদ জগতৰ মাজত এনে কিছুমান গছ-গছনি আছে যাৰ লৰচৰ কৰিব পৰা শক্তি দেখা যায়! চেলুৱই (algae) লজ্জাৱতী গছ (mimosa) বন চণ্ডাল (Indian Telegragh plant) ইত্যাদি বোৰ গছৰ মাজত লৰচৰ কৰা শক্তি দেখা যায়। তাৰ ভিতৰতো বহুত গছৰ ভিতৰত থকা জৈৱ পদাৰ্থৰ লৰচৰ কৰা শক্তি দেখা যায়। তাৰ উপৰিও বহুত গছৰ কোষৰ ভিতৰত



গছৰ কোষৰ ভিতৰত থকা জৈৱ পদাৰ্থৰ লৰচৰ কৰা দেখুৱা হৈছে

থকা জৈৱ পদাৰ্থৰ লৰচৰ শক্তি (Protoplasmic movement) দেখিবলৈ পোৱা যায়। অধ্যয়ন আৰু সূক্ষ্ম গবেষণাৰ মূলত বৈজ্ঞানিক সকলে দেখুৱাব পাৰিছে যে, প্ৰাণী-জগতৰ জীৱ-জন্তুবোৰ আৰু উদ্ভিদ জগতৰ গছ গছনি বোৰৰ ভিতৰত নিতৌ ক্ৰমোন্নতিৰ লগে লগে বহুত সালসলনি হব লাগিছে। লাখ লাখ বছৰ ধৰি এই সাল সলনিৰ ফলত নিচেই তলৰ খাপৰ প্ৰাণীবোৰ আৰু গছ বোৰ আজি ওপৰ খাপ পাইছেহি আৰু সেই দৰে আগৰ দিনৰ বহুত ডাঙৰ ডাঙৰ ওখ গছ গছনিও আজি নিচেই তৃণত পৰিণত হৈছে। ক্ৰমোন্নতি আৰু ক্ৰমবিকাশৰ লগত যে আমাৰ অগোচৰত কিমান সাল সলনি হব লাগিছে তাক সহজে ধৰা বৰ টান। ঠাই আৰু সময় অনুসৰি এই সালসলনিৰ প্ৰথাৰ তাৰতম্য ঘটে। জিৰাফ বোৰক ঘোৰাৰ পৰা উৎপন্নহোৱা বুলি কয়। এই ঘোৰা যেতিয়া মাটিত ঘাঁহ নেপাই ওখ গছৰ পাত খাব লগাত পৰিল তেতিয়া ওখ গছৰ পাত ডিঙ্গি মেলি খাবলৈ বাধ্য হল। এই দৰে ডিঙ্গি মেলি পাত খাওঁতে খাওঁতে সিহঁতৰ ডিঙ্গিবোৰ লাহে লাহে বাঢ়ি যাবলৈ ধৰিলে। ইয়াৰ ফলত কাল ক্ৰমত এটা সম্পূৰ্ণ বেলেগ জাতৰ সৃষ্টি হল, সি একেবাৰে পূৰ্ব্ব পুৰুষৰপৰা বেলেগ। কিন্তু এই নতুন নতুন জাতৰ সৃষ্টি হওতে যে কিমান যুগ লাগিছিল তাক কোনে কব। আজি আমি মাটিত লাগি থকা যিবোৰ ঢেকীয়া গছ দেখিবলৈ পাওঁ সিহত একালত বৰ ডাঙৰ আৰু ওখ গছ আছিল, কাল ক্ৰমত সলনি হৈ সিহঁত এতিয়া নিচেই সৰু হৈছে। সেই দৰে আকৌ এনে কিছুমান গছ দেখা যায় যে একালত সিহঁত হয়তো যতে ততে প্ৰচুৰ পৰিমাণে পোৱা গৈছিল, কিন্তু আজি সিহঁতৰ বংশ ধৰ পৃথিবীত মাথো কেডালি মানহে।

এই দৰে সালসলনি হওঁতে হওঁতে কিমান অতীতৰ কাহিনী নাইকিয়া হৈছে, কিমান নতুনে ঠাই লৈছে তাৰ লেখজোখ নাই। আজিৰ ওখ খাপৰ প্ৰাণী আৰু ওখ খাপৰ গছ বোৰ নিচেই সাধাৰণ তলৰ খাপৰ পৰা ক্ৰমোন্নতি আৰু ক্ৰম বিকাশৰ ফলতহে উদ্ভৱ হোৱা। যদি নিচেই তল খাপৰ প্ৰাণী আৰু নিচেই তল খাপৰ উদ্ভিদৰ অৱস্থা বিচাৰ কৰা যায় তেন্তে দেখা যাব যে উদ্ভিদৰ আদি পুৰুষ হৈছে এককোষী প্ৰটোফাইটা (Protophyta) আৰু প্ৰাণীবোৰৰ আদি পুৰুষ হৈছে এককোষী প্ৰটোজোৱা (Protozoa) এই দুয়ো বিধ বস্তুৰে আদি অৱস্থা একে। ইটোৰ পৰা আনটোৰ একো প্ৰভেদ দেখা নাযায়। দুয়ো বিধ বস্তুৱে মাত্ৰ দুখণ্ড লৰি চৰি ফুৰিব পৰা জৈৱ পদাৰ্থ। সেই কাৰণেই উদ্ভিদ তত্ত্ববিদ আৰু প্ৰাণীতত্ত্ববিদ সকলৰ মাজত এটা গোলমেলিয়া ভাব লাগি আছে। কিছুমান এনে ধৰণৰ এককোষী জীৱক উদ্ভিদ তত্ত্ববিদ সকলে গছৰ শাৰীত আৰু প্ৰাণী তত্ত্ববিদ সকলে প্ৰাণী জগতৰ ভিতৰত ঠাই দিয়ে। কিন্তু ঠিৰাং কৈ কব পৰা নাই যে কোন শ্ৰেণীৰ ভিতৰুৱা।



লৰচৰ কৰি ফুৰিব পৰা কোষ বেষ্টনী বিহীন জৈৱপদাৰ্থ। এই জৈৱ-পদাৰ্থ অতি সাধাৰণ আৰু অবাধে লৰিচৰি ফুৰিব পাৰে।

এতিয়া প্ৰশ্ন উঠিব পাৰে যে এই জৈৱ পদাৰ্থৰ সৃষ্টি হল কেনেকৈ? জীৱনৰ আৰম্ভণি হল কেনেকৈ? এই প্ৰশ্নৰ মীমাংসা আজিলৈকেও কোনো বিজ্ঞানবিদ পণ্ডিতে প্ৰমাণীতৰূপে দিব পৰা নাই। নানা মুনিৰ নানা মত। যুগেযুগে নতুন নতুন মত আবিষ্কাৰ হবই লাগিছে, কিন্তু

প্ৰমাণকৈ কোনেও জগতক দেখুৱাব পৰা নাই। প্ৰাণ সকলোবোৰ মতেই অনুমানৰ ওপৰত স্থাপিত। আজি যদি কোনো বৈজ্ঞানিকে এই জৈৱ পদাৰ্থৰ সৃষ্টিৰ প্ৰমাণ দিব পাৰিলে হয়, কেনেকৈ জীৱন আৰম্ভ হল তাক দেখুৱাব পাৰিলে হয়, তেন্তে তেৱেঁই আজি জীৱস্ৰষ্টাৰ ভাৰ নিজৰ হাতত লব পাৰিলেহেঁতেন, স্ৰজনৰ হৰ্ত্তাকৰ্ত্তা বিধাতা হব পাৰিলেহেতেন কিন্তু আজিলৈকে পৰা নাই। এই খিনিতে বিজ্ঞানবিদ সকল পৰাজিত, বিজ্ঞানৰ শেষ। এইখিনিতেই সেই মহান শক্তিৰ পৰিচয়, যি শক্তিয়ে আজি বিশ্ব ব্ৰহ্মাণ্ড জুৰি সকলোৰে সৃষ্টিৰ ৰহস্য আবদ্ধ কৰি ৰাখিছে। কিন্তু মানুহ যে হাৰিলেও হাৰ মানি লবলৈ নোখোজে। যদিও পণ্ডিত সকল পৰাজিত তথাপি আশা কৰে যে কেতিয়াবা নহয় কেতিয়া বিজ্ঞানৰ সহায়ত এই জৈৱ পদাৰ্থৰ গুঢ় সত্য আবিষ্কাৰ কৰি জগতক তধা লগাবই। কিছুমান বৈজ্ঞানিকে অনুমান কৰে যে অজৈৱ পদাৰ্থ (Nonliving matters) প্ৰকৃতিৰ সুবিধাজনক অৱস্থাত পৰি ৰাসায়নিক আৰু প্ৰাকৃতিক সাল সলনি হৈ এই জৈৱ পদাৰ্থৰ উৎপন্ন হল (Spontaneous generation ie Abiogenesis) কিন্তু এই সাল সলনি কেতিয়া, কত আৰু কেনেকৈ হল তাৰ হলে প্ৰমাণ একো দিবপৰা নাই। আকৌ এক শ্ৰেণী পণ্ডিতে যদিও অজৈৱ পদাৰ্থৰপৰা জৈৱ পদাৰ্থৰ সৃষ্টি হোৱা মত একেবাৰে নুই নকৰে তথাপি অজৈৱ পদাৰ্থৰ পৰা জৈৱ পদাৰ্থ সৃষ্টি হোৱাতকৈ জৈৱ পদাৰ্থৰ পৰা জৈৱ পদাৰ্থ উদ্ভৱ হোৱা বুলিহে ভাবে। অৰ্থাৎ জীৱৰ পৰা জীৱ সৃষ্টি হোৱা বুলি ভাবে (Biogenesis)। এওঁ লোকৰ মতে পৃথিবী সৃষ্টি হোৱাৰ লগে লগে জীৱৰ সৃষ্টি হয় তাৰ পাছত ক্ৰমবিকাশৰ লগে লগে লাহে লাহে আন আন জীৱবোৰৰ জন্ম হল। যেতিয়াৰ পৰা এই পদাৰ্থৰ সৃষ্টি হল তেতিয়াৰ পৰা লাখ লাখ কৌটি কৌটি বছৰ ধৰি সেই অনাদি কালৰ পৰা আজিলৈ জীৱৰ সোঁত বৈ আছে আৰু কত অনন্ত কাললৈ যে বৈ থাকিব তাক কোনে কব। এই জৈৱ পদাৰ্থ হৈছে অমৰ। ইপুৰুষৰ পৰা আন পুৰুষলৈ যায়। এই দৰে জৈৱ পদাৰ্থৰ সোত পুৰুষৰ মাজেদি বৈ আহিছে বৈ আছে, আৰু বৈ থাকিব, কিন্তু কলৈ, আৰু কেতিয়ালৈ কোনোৱাই কব পাৰিবনে?

এককোষী (Unicellular organism) জীৱ বোৰৰ বংশ বৃদ্ধিৰ সময়ত দেখা যায় যে মাথো কোষটি দুখণ্ড হৈ ছিঙ্গি যায়; এই দৰে সাধাৰণ ভাবে খণ্ড খণ্ড হৈ নতুন এক কোষী জীৱৰ সৃষ্টি হয়। আৰু আগৰ পুৰণা কোষটি মৰি যায়। জৈৱ পদাৰ্থও এই ভাগ হোৱাৰ লগে লগে খণ্ডিত হৈ নতুন বংশলৈ আহে। পূৰ্ব্ব বংশত যি জৈৱ পদাৰ্থ থাকে খণ্ডিত হৈ ভাগ হোৱাৰ লগে লগে পিছৰ বংশলৈও আহে। এই দৰেই বংশানুক্ৰমে এই জৈৱ পদাৰ্থ চলি গৈ থাকে। বহুকোষী (multicellular) organism) জীৱবো জৈৱ পদাৰ্থ এই দৰেই বংশানুক্ৰমে পুৰুষে পুৰুষে চলি গৈ থাকে, অৱশ্যে এই জৈৱ পদাৰ্থৰ সঞ্চালনৰ নিয়ম জীৱ-জাত অনুসৰি বেলেগ বেলেগ। আমৰ গুটিৰ পৰা গছ হয়, গছৰ পৰা গুটি হয়. আকৌ গুটিৰ পৰা গছ হয়। জৈৱ পদাৰ্থও গুটিৰ মাজেদি গছলৈ যায় আৰু গছৰ পৰা আকৌ গুটিলৈ যায়। এই দৰে এই অমৰ জৈৱ শক্তি ইটো পুৰুষৰ পৰা আনটো পুৰুষলৈ অবাধে আহিব পাৰে। ইয়াৰ গতি কোনেও কতো, কেতিয়াও বাধা দিব পৰা নাই, এটি অজান সোঁতত অনন্তকালৰ পৰা বৈ আহিছে—অবিশ্ৰাম সোঁতত।

জৈৱ পদাৰ্থই জীৱন। যেতিয়াৰ পৰাই ইয়াৰ আৰম্ভ হল তেতিয়াৰ পৰাই ক্ৰমোন্নতি আৰু ক্ৰমবিকাশৰ লগে লগে প্ৰাকৃতিক সালসলনিৰ লগত দুভাগত ভাগ ললে। এভাগ হল উদ্ভিদ জগতৰ আদি অৱস্থা এককোষী প্ৰটোফাইটা (Protophyta) আৰু আন ভাগটো হল এককোষী প্ৰটোজোৱা (Protozoa) প্ৰাণী জগতৰ আদি অৱস্থা। কাল ক্ৰমত সাল সলনি হৈ এককোষী জীৱ বোৰ বহুকোষী জীৱ শ্ৰেণীত পৰিণত হল। অৰ্থাৎ এককোষী প্ৰটোফাইটা হল বহুকোষী মেটাফাইটা (multicellular metaphyta) এয়ে উদ্ভিদ জগতৰ দ্বিতীয়াৱস্থা। সেই দৰে প্ৰাণী জগতৰো দ্বিতীয়াৱস্থা হল বহুকোষী মেটা জোৱা (multicellular matazoa)

এই খিনিতে সুধিব পাৰে যে এককোষী জীৱৰ পৰা বহুকোষী জীৱৰ অৱস্থা প্ৰাপ্ত হল কেনেকৈ ? তাৰ উত্তৰো বিচাৰি যাবলৈ বৰ বেছি দূৰ যাব নেলাগে। প্ৰকৃতিয়ে কৰিব নোৱাৰা কাম একো নাই। মতা মানুহ যদি সলনি হৈ মাইকী মানুহ হব পাৰে তেন্তে এককোষী জীৱ অৱস্থা বিশেষে বহুকোষী হোৱাটো কোনো আচৰিত নহয়। কেতিয়াবা এনেকুৱা দেখা যায় যে যেতিয়া একোকোষী জীৱবোৰ বংশবৃদ্ধিৰ কাৰণে খণ্ডিত হৈ যাব ধৰে তেতিয়া কেতিয়াবা ঠাই আৰু সময় অনুসৰি সেই খণ্ডবোৰ একেবাৰে ছিঙ্গি নাযাই লগ লাগি থাকে, যদিও প্ৰত্যেক খণ্ডই একো একোটি বেলেগ বেলেগ কোষ তথাপি সিহঁত কিছুমান বস্তুৰে লগ লাগি থাকে। এই দৰেই বহু কোষী জীৱ শ্ৰেণীৰ উদ্ভৱ হয়। বহুকোষী অৱস্থা প্ৰাপ্ত হোৱাৰ লগে লগে দুয়ো শ্ৰেণী জীৱৰে বিশেষ বিশেষ বিশেষত্ব আৰম্ভ হয়। তাৰ পিছত বেলেগ বেলেগ অৱস্থাত পৰি আজিৰ উদ্ভিদ জগত আৰু প্ৰাণী জগত একেবাৰে অমিল দুটা ভাগত বিভক্ত হল। এক শ্ৰেণী হল উদ্ভিদ আৰু আন শ্ৰেণী হল প্ৰাণী। গতিকে এতিয়া ফটফটিয়া কৈ দেখা যায় যে আমাৰ আদি পুৰুষ আৰু উদ্ভিদ শ্ৰেণীৰ আদি পুৰুষ একে ঠাইৰে পৰা অহা। আজিৰ প্ৰাণী জগত উদ্ভিদ জগতৰ মাজত অঙ্গ প্ৰত্যঙ্গ বিশেষে যি প্ৰভেদ দেখা যায়, কিন্তু নিচেই সাধাৰণ এককোষী প্ৰাণী আৰু এককোষী উদ্ভিদৰ ভিতৰত বিশেষ এনে প্ৰভেদ নাই। কাৰণ দুয়া শ্ৰেণী জীৱই অতি সাধাৰণ আৰু বিশেষ কোনো অঙ্গ-প্ৰত্যঙ্গ আদি নাই বুলিলেও হয়।

বাহিৰত দেখা পাৰ্থক্যৰ বাহিৰেও উদ্ভিদ জগতৰ আৰু প্ৰাণী জগতৰ ভিতৰত বহুত কাৰ্য্যকলাপত আৰু ভিতৰুৱা পাৰ্থক্য দেখা যায়—যিবোৰৰ সহায়ত এই দুয়ো শ্ৰেণী জীৱকে ইটো আনটোৰ পৰা বেলেগ বেলেগ কৰিব পাৰি।

প্ৰথমতে হৈছে সেউজীয়া পদাৰ্থ (Chlorophyll) সাধাৰণতে আমি গছবোৰ সেউজীয়া দেখো কিয় ? পাতৰ ভিতৰত আৰু কোমল সেইজীয়া ঠাৰি বোৰৰ কোষৰ ভিতৰত এবিধ সেউজীয়া পদাৰ্থ থাকে সেই কাৰণে গছৰ পাত সাধাৰণতে সেউজীয়া দেখা যায়। এই পদাৰ্থ কিন্তু প্ৰাণীবোৰৰ ভিতৰত নাই। এই সেউজীয়া পদাৰ্থ গছৰ ভিতৰত থকাৰ কাৰণে গছে নিজৰ আহাৰ তৈয়াৰ কৰিবৰ শক্তি পাইছে। উদ্ভিদ জগতৰো কিছুমান গছৰ এই সেউজীয়া পদাৰ্থৰ অভাৱ দেখা যায় ; সিহঁতেও নিজে আহাৰ তৈয়াৰ কৰিব নোৱাৰে। আন গছৰ সহায় লৈহে নিজে বাচি থাকে। বেঙছটা (Fungi) এই জাতীয় সেউজীয়া পদাৰ্থ বিহীন গছ, সেই কাৰণে সিহঁত বগা বা মুগা বৰণীয়া কিন্তু সেউজীয়া নহয়। এই বিধ গছ সাধাৰণতে মৰা, পঁচা গছ নাইবা গোবৰৰ দামৰ ওপৰ আদি ঠাই বোৰত হয়। তাৰপৰা সিহঁতে নিজৰ আহাৰ টানি লয়। তাৰ পাছত ৰঘুমলা (Dodder)—ইয়ো এবিধ সেউজীয়া পদাৰ্থ বিহীন হালধীয়া গছ। সাধাৰণতে আন গছৰ ওপৰত হয়। নিজৰ আহাৰ তৈয়াৰ কৰিবৰ শক্তি নাই গতিকে আন গছৰ ভিতৰলৈ ইয়াৰ শিপা পঠিয়াই দিয়ে আৰু তাৰ পৰা আহাৰ শুহি লৈ নিজৰ জীৱন ধাৰণ কৰে। এই বোৰ গছক প্ৰাণী বুলিও ধৰিব পাৰি, যেহেতুকে সিহঁতৰ নিজৰ আহাৰ তৈয়াৰ কৰিবৰ শক্তি নাই। প্ৰাণী জগতৰতো কমাই নাই, আহাৰৰ কাৰণে উদ্ভিদৰ ওপৰত সদায় প্ৰতি মুহূৰ্ত্তে নিৰ্ভৰ কৰিব লাগে। গছৰ ভিতৰত যিবোৰ গছৰ এই সেউজীয়া পদাৰ্থ নাই সিহঁতেও আন আন সেউজীয়া গছৰ ধৰুৱা।

চেলিউলোজ (Cellulose) প্ৰায় বোৰ গছৰ কুমলীয়া কোষ বোৰৰ বেষ্টনীত (Cell-wall) এই বস্তু থাকে, কিন্তু প্ৰাণীবোৰৰ কোষ বেষ্টনীত এই বিধ বস্তু নাই। কোষৰ ভিতৰত থকা জৈৱ পদাৰ্থৰ এই চেলিউলোজ লাহে লাহে উলিয়াই দিয়ে আৰু এই দৰে কোষ বেষ্টনীত গাত জমা হৈ থাকে। এই বস্তুবিধ বৰ লাগতিয়াল। কাগজ বোৰ (Paper-pulp) ইয়াৰে তৈয়াৰী হয়।

কোষ আৰু কোষ বেষ্টনী (Cell wall) প্ৰাণী আৰু উদ্ভিদবোৰৰ ভিতৰৰ গঠন প্ৰণালী অতি

আচৰিত আৰু অতি কৌতুহলজনক। কোনো এটি প্ৰাণীৰ বা কোনো এডাল গছৰ নিচেই পাতল এটি খণ্ড যদি অনুবীক্ষণ যন্ত্ৰৰ সহায়ত ভিতৰলৈ চাই



গছৰ ভিতৰত থকা কোষ। প্ৰত্যেকটি কোষেই বেষ্টনীৰ দ্বাৰা আবদ্ধ।

পঠিয়া হয় তেন্তে দেখা যাব যে ইহঁতৰ ভিতৰখন যেন মৌ-মাখিৰ বাহ হে। নানা আকৃতিৰ কিছুমান কোষেৰে গছ ডাল বা প্ৰাণীটি গঠিত। এই একো একোটি কোষেই একোটি গঠন মূলক সজুলি। যেনেকৈ একো একোটি ইটাই একোটি প্ৰকাণ্ড পকী দালানৰ গঠন মূলক সজুলি। এনেকুৱা হাজাৰ বিজাৰ ইটা গোট খাইহে একোটা প্ৰকাণ্ড পকী ঘৰ তৈয়াৰ হয়। সেই দৰে গছবো বা প্ৰাণী বোৰো এই কোষ বোৰৰ সমষ্টি। এই কোষ বোৰ ইমান সুদৃঢ় আৰু সুচাৰুৰূপে সংস্থাপিত যে প্ৰবল ধুমুহাৰ কোবতো এডাল গছ সহজে ভাঙ্গি চুৰমাৰ নহয়। কথাতে কয় যে একতাই হৈছে আচল মূল। সাধাৰণ তৃণ গোট খুৱাই প্ৰবল হাতীকো বান্ধি ৰাখিব পাৰি। প্ৰাণী আৰু উদ্ভিদৰ ভিতৰখনতো এই কোষবোৰৰ একতা দেখি আচৰিত মানিব লাগে। কৌটি কৌটি কোষৰ সমষ্টি একোডাল প্ৰকাণ্ড গছৰ সৃষ্টি। এই কোষবোৰ জৈৱ পদাৰ্থেৰে ভৰপূৰ গছৰ ভিতৰখন যে এই কোষেৰে পৰিপূৰ্ণ ইয়াক প্ৰথমে ৰবাৰ্ট হুক (Robert Hook) নামেৰে এজন চাহাবে খৃঃ ১৬৬০ চনত অনুবীক্ষণ যন্ত্ৰৰ সহায়ত আবিষ্কাৰ কৰি নামাকৰণ কৰে। তাৰ পাছত মালপিঘি (Malpighi) গ্ৰু (grew) আদি বৈজ্ঞানিক সকলে এই কোষবোৰ ভালকৈ পৰীক্ষা কৰি সিহঁতৰ ইতি বৃত্তান্ত ভালকৈ লিখে। এইবোৰ কোষ অনুবীক্ষণ যন্ত্ৰৰ সহায়ত হে ভালকৈ ধৰিব পাৰি। জীৱ আৰু সিহঁতৰ গঠন অনুসৰি এই কোষবোৰ ডাঙ্গৰ সৰু নানা ৰকম গঢ়ৰ দেখা যায়। সাধাৰণতে গছৰ কোষবোৰ $\frac{১}{১০}$ পৰা $\frac{১}{৪০}$ মিলিমিটাৰৰ ভিতৰত থাকে, কিন্তু ঠাই বিশেষে ডাঙ্গৰ সৰুও দেখা যায়। কিছুমান $\frac{১}{২}$ মিলিমিটাৰো দেখা যায় আৰু কিছুমান $\frac{১}{১৫০}$ মিলি মিটাৰলৈ কেও সৰু দেখা যায়। গছবোৰৰ হলে এই কোষবোৰ বেষ্টনীৰ দ্বাৰাই আবদ্ধ কিন্তু প্ৰাণী বোৰৰ কোষবোৰত এনেকুৱা বেষ্টনী নাই।

আহাৰ (Food)—যদিও উদ্ভিদ আৰু প্ৰাণী বোৰৰ ভিতৰত আহাৰৰ গঠন আদি সম্বন্ধে বিশেষ কোনো পাৰ্থক্য দেখা নাযায় তথাপি আহাৰ খোৱা প্ৰণালীতে



অনুবীক্ষণ যন্ত্ৰৰ সহায়ত দেখা পাতৰ ভিতৰখন। কোষবোৰৰ বেষ্টনীৰ ওচৰত থকা ডাঙ্গৰ কলা কলা বস্তুবোৰেই হৈছে সেউজীয়া পদাৰ্থ। ইয়াৰ সহায়ত গছে আহাৰ তৈয়াৰ কৰিব পাৰে।

বহুত তাৰতম্য দেখা যায়। মূলতে হৈছে গছে নিজৰ আহাৰ নিজে তৈয়াৰ কৰি খাব পাৰে কিন্তু প্ৰাণী

বোধে নোৱাৰোঁ। আগেয়ে কোৱা হৈছে যেহেতুকৈ প্ৰাণীবোৰ সেউজীয়া পদাৰ্থ (Chlorophyll) বিহীন সেই কাৰণে নিজে আহাৰ তৈয়াৰি কৰিবৰ শক্তিও নাই। নিৰামিষাহাৰী প্ৰাণীয়ে হওক বা মাংসাহাৰী প্ৰাণীয়ে হওক সকলোৱে গছে তৈয়াৰ কৰা আহাৰকে হে খাব লাগিব। উদ্ভিদে আহাৰৰ সামগ্ৰীবোৰ মাটি আৰু বায়ুৰ পৰা জুলীয়া অৱস্থাত ভিতৰলৈ টানি লয়, কিন্তু প্ৰাণী বোৰে গোটা আহাৰ উদৰস্থ কৰে। মাটিত থকা আহাৰৰ সামগ্ৰী বোৰ চুলি শিপাৰে গছে জুলীয়া অৱস্থাত ভিতৰলৈ শুহি লয়, সেই শুহি লোৱা পদাৰ্থবোৰ গছৰ ভিতৰত থকা কিছুমান নলীবে (vessels) উঠি গৈ পাত পায়গৈ। বায়ুৰ পৰাও গছে জুলীয়া অৱস্থাত পাতৰ তল পিঠিত থকা কিছুমান নিচেই সৰু সৰু ছিদ্ৰবে (stomata) এঙ্গাৰাম্ল ভিতৰলৈ টানি লয়। এই এটাইবোৰ আহাৰৰ সামগ্ৰী আহি এই দুবে পাতৰ ভিতৰত থকা কোষ বোৰ পায় গৈ। এই কোষবোৰৰ ভিতৰত থকা সেউজীয়া পদাৰ্থৰ সহায়ত আৰু সূৰ্যৰ পোহৰৰ সহায়ত সেই কোষ বোৰৰ ভিতৰত আহাৰ তৈয়াৰ হয়। পাতৰ ভিতৰত থকা একো একোটি কোষ একো একোটি বাষ্পীয়নাগাৰ হে। তাত যে কিমানবোৰ বাষায়নিক ক্ৰিয়া প্ৰতি মুহূৰ্ত্তে মুহূৰ্ত্তে হব লাগিছে, আন কি মহা মহা পণ্ডিতবো মতিভ্ৰম কৰাই দিছে। বাস্তৱতে এই সাধাৰণ এটি পাতৰ ভিতৰত থকা অতি ক্ষুদ্ৰতম কোষটিত যে প্ৰতি পলে পলে কিমান কাণ্ড ঘটি লাগিছে তাক ভাবিলে অবাক হব লাগে। এই দৰেই গছে আহাৰ প্ৰস্তুত কৰে আৰু ভবিষ্যতৰ ব্যৱহাৰৰ কাৰণে আৰু আন আন জীৱ জন্তুৰ কাৰণে কিছুমান বিশেষ বিশেষ ঠাইত জমা কৰি ৰাখে। সেই বোৰকে আমি খাই জীৱন ধাৰণ কৰোঁ। আচলতে আমি উদ্ভিদ জগতৰ ওচৰত সকলোৱে ঋণী।

এঙ্গাৰাম্লক বিশ্লেষণ (Decomposition of Co 2)। উদ্ভিদবোৰ বতাহত থকা অঙ্গাৰাম্লক বায়ু বিশ্লেষণ কৰি তাৰ পৰা এঙ্গাৰ উলিয়াই জুলীয়া অৱস্থাত ভিতৰলৈ নিব পাৰে। এই এঙ্গাৰো এবিধ আহাৰৰ সামগ্ৰী। কিন্তু প্ৰাণী জগত এই শক্তিৰ পৰা বঞ্চিত। এঙ্গাৰাম্লক বায়ু বিশ্লেষণ কৰিব পৰা শক্তি প্ৰাণীবোৰৰ নাই।

এইবোৰেই হৈছে উদ্ভিদ আৰু প্ৰাণীজগতৰ মাজত পাৰ্থক্য। কিন্তু এই খিনি পাৰ্থক্যৰ বাহিৰেও যে ইমান বোৰ মিল আৰু সামঞ্জস্য আছে সেইটোৱেই আচৰিত কথা।



ভাগ-বাটোৱাৰা

গল্প— —শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

১

শৰৎ আৰু হেমন্ত দুই সহোদৰ, কিন্তু দুয়োবে প্ৰকৃতি আছিল ঠিক বিপৰীত। ককাই শৰৎ—অদৃষ্টবাদী। গতিকে স্বল্পে সন্তুষ্ট আৰু এলেহুৱা। দেউতাকে অলপ মাটি বাৰী কিনি থৈ গৈছিল, সেই খিনি চলাই মোৱাৰ উপৰিও টিমাৰ কোম্পানিৰ কেৰাণীগিৰি কৰে। তাতে যি সামান্য অলপ পায় তাৰেই ঘৰ খন চলোৱাৰ বাহিৰে ভায়েকৰ ভালকৰি পঢ়াই শুনাই এটা ভাত ভাঙত চাকৰি কৰি দি সংসাৰ খন সুখৰ কৰি তুলে—ওৰে ইচ্ছা। কিন্তু হেমন্তৰ পঢ়া শুনাত অকনো মন নাছিল। ক্ৰমান্বয়ে তিনিবাৰ চেষ্টা কৰিও প্ৰবেশিকা পৰীক্ষাত 'পাছ' কৰিব নোৱাৰিলে।

উৰ্ত্তীৰ্ণ হব নোৱাৰিলে অৱশ্য, কিন্তু উচ্চ আশা তাৰ ডেকাকলীয়া মনৰ পৰা নগল। অদৃষ্টৰ উপৰত নিৰ্ভৰ কৰি নাথাকি, স্বাধীন ভাবে উপাৰ্জ্জন কৰিব পাৰে নে নোৱাৰে তাৰ বাবে চাৰিওফালে খবৰ লৈ ফুৰিব ধৰিলে।

ককায়েকে দেখিলে,—ভায়েকৰ অদৃষ্ট নিতান্ত মন্দ। লিখা পঢ়া নিশিকিল; এতিয়া কতো চাকৰি আদি পায় নাপায় তাৰ চেষ্টা নকৰি, দিনে-বাতিয়ে কোন কট্‌ৰাক্টৰৰ ঘৰ, কোন ধানৰ বেপাৰী, বাঁহৰ বেপাৰীৰ সৰ প্ৰভৃতি ইফালে সিফালে ঘুৰি ফুৰাটোৱে তাৰ প্ৰধান কাম।—টিমাৰৰ ছাব্ এজেণ্টক খাটি 'এপ্ৰেন্‌টিছ' ৰূপে অফিচত কাম শিকিবলৈ দিছিল। কোনো গতিকে দুই মাহ মান অফিচত হাজিৰ হৈছিল। কিন্তু তাত তাৰ মন নবহিল। ঘোৱা বন্ধ কৰিলে। ককাইয়েকে কিমান কলে, কিন্তু সকলো মিছা হল। তেতিয়া তেওঁ ঘৈণীয়েক, কমলিনীৰ লগত পৰামৰ্শ কৰি হেমন্তৰ বিয়া পতা ঠিক কৰিলে। সংসাৰত সোমাই অভাৰত নপৰিলে মানুহৰ চৈতন্য নহয়।

হেমন্তৰ কিন্তু বিয়া কৰিবৰ ইচ্ছা নাই। তাৰ কথা—'এই দেশৰ মানুহে এনেই ঘৰবাৰী এবিব মুখুজে, তাৰ ওপৰত বিয়া কৰালে ঘৰৰ ভিতৰৰ পৰা দুৱাৰ মুখলৈ ওলাব নোখোজা হব।' তাৰ জীৱন এনে ঘৰৰ ভিতৰত সোমাই কটাই দিয়ে,—এইটো মূঠেই ইচ্ছা নহয়। ইচ্ছা—বাৰীঘৰ কিয়, লাগিলে দেশ এৰি বিদেশলৈ যৈ চাব,—কিছু আৰ্জ্জিব পাৰে নে নোৱাৰে। যদি পাৰে,—ভাল! নহলে—বিয়া তাৰ ভাগ্যত নাই!

২

হেমন্তৰ এই বোৰ কথা কিন্তু নিটিকিল। ককায়েকৰ থং দেখি বিয়া কৰাবলৈ বাধ্য হল। কমলিনীয়ে লগৰীয়া এজনী পাই বৰ পালে। তাইৰ বন কাম সকলো বিষয়তে সহায় হব ধৰিলে। কিন্তু শৰতে হেমন্তক চাকৰিত লগাব নোৱাৰিলে। সি গলে এতিয়াও টিমাৰৰ বৰ বাবুৰে তাক শিক্ষানবিশীত ভৰ্ত্তি কৰিবলৈ সাজু আছে। * * * ককায়েকে এদিন অধৈর্য্য হৈ কৈ দিলে যে,—তেনেকুৱা ভায়েকৰ মুখ দৰ্শন কৰাও পাপ। হেমন্তয়ে একো নামাতি মনে মনে থাকিল।

পিছ দিনা পুৱা উঠি হেমন্তই ফুৰিব গল, কিন্তু উভতি নাহিল —'এনেই কৰবাত ফুৰিব গৈছে বুলি সকলোৱে ভাবিছিল; যেতিয়া দেখিলে বাতি হৈ গল, তথাপি সি উভতি নাহিল, তেতিয়াহে সকলোৱে চিন্তাৰ কাৰণ হল। হেমন্তৰ ঘৈণীয়েক কুমুদিনীক সুধিও একো নতুন কথা জানিব পৰা নগল। * * *

ক্ৰমে দুই চাৰিজন পৰিচিত মানুহ শৰতৰ ওচৰত

আছিল। কোনোবাই দুখ কবি জনাব ধবিলে, কোনো কোনোবাই শবতব ভাতৃস্নেহ আৰু হেমন্তব অকৃতজ্ঞতাব কথা তুলি তাব উদ্দেশ্যে গালি পাবিবলৈ ধবিলে ;—যতে নাযাওক কিয়, কিছুদিনব পিছতে যে বাছাক উভতি আহি ককায়েকব ভবিত ধবিব লাগিব, তেনে ভবিষ্যত বাণী কবিবলৈ ধবিলে। আঙুনাথ দদায়ে সকলোব ওপবত 'টেঙ্কা মাবি' কলে—"মই আগব পবাই জানো—এই কুমাওব মতি-গতি। তই হলি বামচন্দ্র, কিন্তু সিতো লক্ষ্মণ নহয়,—ভবত হে। বোপা, শবৎ,—তুমি একো নাভাবিবা। সি আহিল বুলি।"

শবতব বং হলেও, তাব মনটো আজি বব বেয়া লাগিব ধবিলে। "আহিল বুলি" কথাষাব বব ভাল লাগিল, মনে মনে ভগবানক ধাটিলে—'যেন এই কথা সচা হয়,—সি যেন সোনকালে উভতি আহে, আন একো নালাগে।' এই সক ভাইেকক কেনে মবমত ডাঙব কবিছে। দেউতাক বহুদিন আগতে ইহলোক ত্যাগ কবিছিল। মাক ঢুকাবব সময়ত কেনেকৈ ভাইেকক সমজাই দিছিল,—সকলো মনত পবিবলৈ ধবিল।—'নকবিলে নাই চাকবি ;—যি কেই দিন ভগবানে এমুঠি ভাত মিলাব হেমন্তয়ো অবশ্যে তাব ভাগ পাব। তাব অদৃষ্টত লিখা পঢ়া নাছিল,—নহল !' —চাকবি নকবাব কাবণে টান কথা শুনোৱা বাবে নিজব মনত দুখ কবিবলৈ ধবিলে।

* * * •

সাত দিনব মুবত শবতে এখন চিঠি পালে। কলিকতাব পবা হেমন্তই লিখিছে,—"আপোনালোকব পবা বিদায় লৈ আহিব নোৱাবা বাবে বেয়া নাপাব। আগধবি প্রকাশ কবিলে কি জানি মোব আহা নহলহেঁতেন। চাকবি পাইছো। আফ্রিকালৈ যাব ধবিছো। কাইলৈ পুবা আমাব জাহাজ এবিব।..."

ঠিকনা নাই। কলৈ উত্তব দিব লাগিব ঠিক কবিব নোৱাবিলে। তলপ কিমান তাকো লিখা নাই। টেলিগ্রাফ কবি খবব আনিবৰো কোনো উপায় নাই।—কাবণ এই চিঠি পোৱাব আগেয়ে জাহাজ কলিকতা বন্দব এবিছে। শবতব মনটো অস্থিব হৈ উঠিল। সকলো শুনি হেমন্তব দৈবীয়েক কুমুদিনীয়ে কান্দিলে ; কমলিনীও লগে লগে চকুব পানী পেলাব ধবিলে। শবতে এটা হুমুনিয়াহ কাঢ়ি কলে—"যাওক,—যাব যি কৰ্ম্মফল ভুগক।"

৩

ডবলিউ, বনফিল্ড এণ্ড কোং আফ্রিকাব এটা ডাঙব হাবি থকা ঠাই ৯৯ বছবব কাবণে মেয়াদি পাট্টা লৈছিল। সেই হাবিবন কাটি ছাফ কবিবব কাবণে ভাবতবর্ষব পবা বহত কুলী নিয়া হৈছে। সেই কুলীবিলাকক চলাবব বাবে কিছুমান মহবিব দবকাব। ঠাই বব ভীষণ। সিংহ, বাঘ আদি নানা বনবীয়া হিংস্র জন্তুবে হাবিবন ভবা। নানা জাতীয় বিষধব সাপব অন্ত নাই। উঁহু, মহ, চেবেপা প্রভৃতিব অত্যাচাবত দিনে বাতিয়ে আঠুৰাব তলত থাকিব পাবিলেহে অলপ শান্তি। অতিশয় অস্বাস্থ্যকব স্থান। অকল সেয়ে নহয়। এবিধ না উঁহ না মহ পোক আছে ; সেই বোৰে কামুবিলে, মানুহে টোপনিয়াই টোপনিয়াই প্রাণ এবে। এই বোৰ কাবণে অলপ চলপ তলপত কোনেও যাব নোখোজে। ইয়াৰ আগতে যোৱা বহতেই অলপ কেইমাহব ভিতবতে ঢুকাইছে বোলে। যি কেইজন আছে, সিহঁতেও গুছি আহিব পাবিলেই যেন বক্ষা পায়। গতিকে মাহিলি ১৫০্টকা তলপ দি মানুহ নিব ধবিছে। সিও আকৌ বছবে ২৫্টকা কবি বাঢ়ি গৈ তৃতীয় বছবত পুবা পুবি ২০০্টকা কবি পাব। তিনি বছবব এগ্রিমেণ্ট্ দি যাব লাগিব। লিখা পঢ়া সবহ না জানিলেও চলে। অকল লাগে চাহাবব কথা কুলীবিলাকক আৰু কুলীব কথা চাহাবক বুজাই দিবৰ উপযুক্ত ইংবাজী মাতিব পাবা স্বাস্থ্যবান মানুহ।

হেমন্তব সিবিলাক গুণ ভালেই আছিল। সুলত থাকোতে ক্লাছৰ পঢ়া দিব পাবক লাগে নোৱাৰক যেনাদি কবি লগবীয়া ছাত্র বিলাকব সৈতে, শুদ্ধয়ে হ'ক লাগে ভুলেই হ'ক, ধুমধাম ইংবাজী মাতিছিল। কালক্রমত সেয়ে তাব অনৰ্গল ইংবাজী মাতিবব শক্তি দিলে। সকলো বিষব খেলা আৰু জিমনাষ্টিকত সি এজন ওস্তাদ। তাব উপবিও ডাহেল আদিবে ব্যায়াম কবা আৰু পশ্চিমব কুলী, বান্ধনি বা আন কোনো মানুহ, যি জনেই অলপ মান কুস্তিব 'প্যাঁচ' জানিছিল, তাব তাত গৈ যি কেইটা 'প্যাঁচ' পায় তাকে শিকা হেমন্তব এটা প্রধান কৰ্ম্ম আছিল। শবীবত কিছু শক্তিও হৈছিল। অকল এই শক্তি খিনিব ওপবতে নির্ভব কবি বিদেশলৈ যাবলৈ তাব সাহ। কোনোবাই যদি তাক এটা ঘুছি লগাই দিয়ে, তেনেহলে সিও এনেই এবি নিদিয়ে।

এই যাত্রা কোম্পানীয়ে মুঠতে ১৬ জন মহবি লৈ যাব ধবিছে। সকলোবেই বঙ্গালী অকল হেমন্তহে হল অসমীয়া। * *

পুবা সাতটা মানত জাহাজ এবিলে। নতুন ঠাই দেখাব নতুন আনন্দত সকলো মতলীয়া। সাবে বাবটা মানত যেতিয়া জাহাজ গঙ্গাসাগব এবি বঙ্গোপসাগবত পবিল তেতিয়া ভাবতীয় সকলো যাত্রীয়ে এবাৰ মাতৃভূমিব ফালে চাই ললে...চাবিও ফালে অকল নীলা পানী। ইয়াকে কালা পানী বুলি কয়। ওপবতো উজ্জ্বল অনন্ত নীল আকাশ।

জাহাজ কলম্বত গৈ দুদিন মান থাকি পোনে পোনেই আফ্রিকালৈ যাব। ডেকব মাজত প্রায় দুশ কুলী সেই হাবি কাটি কোম্পানীব অর্থাগমব পথ পবিষ্কাব কবিবব কাৰণে যাব ধবিছে। এই দবে প্রায় প্রতি মাহে কুলী চালান হব ধবিছে। হেমন্তই ভাবিলে—"আই, ভাবত মাতা,—তোব সন্তানব পবিশ্রমব সুফল ভোগ কবিব আনদেশব কোম্পানীয়ে। এনে সুসন্তান প্রসব কবিব নোৱাবা নে, যি জনে অহোপুকুষার্থ কবি এনে বিধব কোম্পানী খুলি বাজব টকা ঘবলৈ আনিব পাবে ?"

৪

হেমন্তব দেশ এবি বিদেশলৈ গুচি যোৱা কথা চাবিও ফালে প্রকাশ হৈ পবাত, ঘ'ত তাব সিমান পাওানাদাব আছিল সকলোবে আহি শবতব তাত হাজিব হল। বঙ্গাবব এজন কাপোবব দোকানীয়ে জনালে যে, তাব দোকানব পবা দুই জোব কোট-পেণ্ট আৰু আধা ডজন কামিজ দুই চাবি দিনতে দাম দিম বুলি বাকী কবি লৈ গৈছে। তাব বেচ খিনিব কাবণে বৰকৈ ধবিলে। শবতে সকলোকে কৈ দিলে—"মই সেইবোব একো নাজানো। যেয়ে বাকী লৈছিল সেয়ে দিব। কোনোৱাই সুধিছিল জানো—তাক বাকী দিয়া উচিত নে নাই ?—মোব গাত একো জগব নাই।"

দোকানী গুচি গল অৱশ্যে, কিন্তু যাবব আগত হেমন্তব উদ্দেশ্যে—"জুৱাচোব, ঠগ, বদমায়েছ" ইত্যাদি বেয়া কথা কৈ গালি পাৰি গল।

শবত আৰু কি কবিব, শুনি কথা বোব হজম কবিলে। কিন্তু কুমুদিনীব অন্তবত বব আঘাত লাগিল।—'এজন সাধাবণ দোকানদাবে ভদ্রলোকব চৰাব মুখত থিয় হৈ ইমান কথা শুনাই দিগল।' তাইব ইচ্ছা হব ধবিলে—'বৰজনাই এখন দাবে দোকানীটোব মুবটো কাটি লৈ আহে।—তাই যদি মতা মানুহ হল-হেঁতেন তেনেহলে কেতিয়াও এই গালি শুনি সহি নাথাকিল হেতেন।' কিন্তু—'যাব সুধিবব উপায় নাই তেওঁব ধাব কবা বা বাকী কবি বস্তু কিনাব দবকাব কি !" আকৌ ভাবিলে—'যাব গিবিয়েকব চুখন চোলা, কাপোব কিনিবব ক্ষমতা নাই তাব যৈণীয়েকব কাণত সোণাব কেক, হাতত থাক আৰু গলত মণি মাদুলী কি নিমিত্তে ?'

তেতিয়াই কুমুদিনীয়ে নিজব গাব পবা অলঙ্কাব কেইটা সোলোকাই লৈ গিবিয়েকব কোট-পেণ্ট্ প্রভৃতিব বেচখিনি আৰু কাব কিমান পাওনা আছে দি দিবব বাবে কমলিনীব হাতত দি বৰজনাকব হাতত দিবলৈ অনুবোধ কবিলে। কমলিনীয়ে গহনা বিলাক হাতত লৈ তাইক কলে—"তুমি বলিয়া নহবা। অলঙ্কাব তিবোতাব আপদ বিপদব সম্বল। ইণিনি গলে পিছত ?"

"পিছত ! মোব অদৃষ্টত যি আছে সেয়ে হব,—আপুনি এইবোব দিয়ক গৈ ছোন।"

কমলিনীয়ে সিবিলাক লৈ গিবিয়েকক দিলেহি।—শবতে ভাই বোৱাবীয়েকব পতিভক্তি আৰু আত্ম সম্মান বোধ দেখি মনে মনে বং পালেও সেই বোব নিনিলে। যৈণীয়েকক কলে—"দোকানীব কথাতে বিশ্বাস কবিবব একো কাবণ নাই। ইয়াৰ ভিতবত আন বন্দোবস্তও

থাকিব পারে, বস্তুর ভালমন্দ, বেছ-কম হব পারে। হেমন্ত যেত্তিয়া উন্নতি আহিব তেত্তিয়া ব্যবস্থা করা হব। নাইবা তাঁর চিঠি পালে দাম দিয়া হব। এত্তিয়া মনে মনে থাকিবলৈ কণে।"

* * * *

সেইদিনা এইখিনি লৈকে। কিন্তু কুমুদিনীয়ে অস্থির হৈ উঠিল, যেত্তিয়া নিতৌ শুনিবলৈ ধবিলে, ওবে বাজ্যর মানুহ শবতর শুভাকাঙ্খী সাজি আহি হেমন্তক নিন্দা কবিবলৈ ধবিলে। আক সেই বোব কথা শুনি বরজনাকে একো নামাতে, বরং সিহঁতক হে ধপাত, তামোল আদি খুবাই সন্তুষ্ট কবিবলৈ ধবিল। তাইব একোবাব মনত হব ধবিলে—'এই সংসাব এবি হাবিত নাইবা মাকব ঘবলৈ ওচি যায়।' কুমুদিনীব দেউতাক জীয়াই নাছিল।

৫

সমুদ্র উপকূলব এটা সক নগবব পবা নৈত ষ্টিমাব আক নাবেদি পিছত ঘোবা, গৰুব গাবী, গাধ প্রভৃতিবে পাঁচ ছয় শ মাইল ঘোবাব পিছত হেমন্তহঁতব দলটো সিহঁতব কর্ম্মস্থলত গৈ পালে। ৫০।৬০ জন কবি মানুহ গোটখাই থোকে থোকে হাবি কাটি লাগে। নহলে দিনব পোহবত হিংস্র জন্তুব হাতত পবিবব ভয়। ৰাতি বাঁহ কাঠ আদিব বেবেৰে আগুবি তাব ভিতবত শুই জলাই ১৫।২০০ কুলীয়ে, বাবুৰে, চাহাবে মিলি থাকিবব ব্যবস্থা। চাহাব আক বাবুবিলাক মাজত তাব চাবিও ফালে থাকে কুলী। গৰু, ঘোবা প্রভৃতিব ঠাইও সেই গড়ালব ভিতবতে।

ইমান বন্দোবস্তব মাজতো, পহিলা নিশাতে হেমন্তই যি দেখিলে তাতে তাব ডেকাকলীয়া বীব হৃদয় ভয়ত তল সোমাই গল। কেনেবাকৈ এটা সিংহই গড়ালব বেবব ওপবেদি বগাই ভিতবত সোমাই ছিল। কাফ্রি কুলীবিলাকে সিংহব গতিবিধি সম্বন্ধে বব ওস্তাদ। কেনেবাকৈ গম পাই কোনো গতিকে মবণব হাত সাবিলে, কিন্তু এজন ভাবতীয় কুলীব ইহজীবনব বোজগাবব প্রয়োজন চিবকালব কাবণে নাইকিয়া কবিদি পশুবাজে তাক মেকুবীয়ে নিগনি নিয়াব দবে মুখত কবি লৈ ওলাই গল। মহা গোলমাল উঠিল। বন্দুকব "ধবাম, ধবাম" আৱাজ হল, কিন্তু বহুত পিছত।

দেশবাসী যে কাক বোলে তাক বিদেশত নগলে বুজিব নোৱাবি। আজি বিদেশত আহি হেমন্তই দেশবাসীব দবদ ভাল কবি জানিছে। এজন দেশবাসীব অপঘাত মৃত্যুত তাব অন্তৰ উদাস হৈ গল।

* * * *

কেই দিন মানব পিছত হেমন্তই দেখিলে এনে ঘটনা মাজে সময়ে লাগি আছে। দেখি দেখি আক মবণব চিঁয়ব শুনি শুনি তাব সহ্য হৈ গৈছে। মনত আক বিশেষ বিকাব নাহে। সিংহ, সাপ, বাঘ প্রভৃতিয়ে যিমান ধ্বংস কবিব পাবে কবিছে, তাব বাহিবেও জঙ্গলী বেমাবত পবি দিনে বাতিয়ে মানুহ মবি অন্ত হব ধবিছে। তাব ওপবত চালকৰ অত্যাচাবও নিচেই কম নহয়। সেইবোব দুব দুবান্তবব হাবিব ঘটনা সভ্য জগতব কাণত নপবে। পবিলেও কলা যেন ভাও ভুবি থাকে।

* * * *

হেমন্তই চাকবিত সোমোৱাব দ্বিতীয় মাহব পবা কৰ্কায়েকব নামে ৩০৲ টকা কবি আক বৈশীয়েকব নামে ১০৲ টকা ঋণ নিয়ম মতে পঠিয়াই আছে।—এই কথা জানিব পাবি যি বোব মানুহে তাক নিন্দা কবিছিল সিহঁতেই কৈ ফুবিব ধবিলে—"সই আগেয়ে কৈছো নহয়;—হেমন্ত এজন মানুহ হব। তাব নিমিত্তে তোমালোকব কোনো চিন্তা নাই।"

আশুনাথ দদায়েকে হাঁহি হাঁহি কলে,—চোৱাঁ, মোব কথা তোমালোকে বিশ্বাস কবিবনোপোজা। এত্তিয়া চোৱাঁ!"

৬

মহবি বিলাকব ওপবব এজন সক চাহাবব জঙ্গলী বেমাব হল। তাত থাকিলে মৃত্যু নিশ্চয় জানি ছুটী লৈ তাব স্বদেশ বুলি গুছিগল। হেমন্তব মাত-বোল, ফুর্ত্তি, বন-কামত তৎপবতা প্রভৃতি দেখি বব চাহাবে ভাল পাইছিল। তদুপবি এদিন বব চাহাবক এটা কাফ্রি কুলীব আক্রমণব পবা বক্ষা কবিছিল। তাব পুবস্কাব স্বৰূপে সেই চাহাবব স্থলত তাক 'একটিং' দিলে, কিন্তু তলপ দিব ধবিলে চাবিশ টকা মাথো। চাহাবটোৱে গাইছিল ছয়শ টকা কবি।

হেমন্তই মহা ৰং পালে। তাব জীবনত কেতিয়াবা মাহিলি ৪০০৲ টকা দবমহা পাব তাক কেতিয়াও আশা কবা নাছিল। তদুপবি এই কামত মহবিতকৈ গবিশ্রম বহুত কম। হিংস্র জন্তুব হাতত মবিবব ভয় নাই বুলিলেই হয়।

তলপ বাঢ়ি যোৱাব লগতে হেমন্তই কৰ্কায়েকক দহ টকা আক বৈশীয়েকক পাঁচ টকা ঋণ বঢ়াই দিলে।

* * * অলপ কেই দিনতে এই কথা প্রকাশ হৈ পবিল। আকৌ মিতিব কুটুমে আহি শবৎহঁতক হেমন্তব প্রশংসা শুনাই গল। আশুনাথ দদায়ে আকৌ এবাব নিজব ভবিষ্যৎ বাণী সফল হোৱা সম্বন্ধে শবতক সৌৱবাই দি তাব পবা ছটা টকা ধাবলৈ খুজি লৈ গল। আন কিছুমানে আহি নিজ নিজ ককই বা ভাইব মমুষ্যত্বব অভাবব কথা বর্ণাব ধবিলে, সিহঁতে বোলে বহু টকা আর্জ্জে, কিন্তু প্রকৃত অভাব জানিব পাবিও সহায় নকবে। অথচ বাজে খবচ হলে কবাত ত্রুটী নাই।

৭

হেমন্তব এগ্রিমেণ্ট শেষ হৈ মোৱাত নতুনকৈ আকৌ তিনি বছবব এগ্রিমেণ্ট কবিলে। ববচাহাবে তাক বব মবম কবে। নতুন বন্দবস্তত ৫০০৲ টকা কবি ঠিক হৈছে। ছয় শ টকা ঋণ মাহিলি দি সক চাহাববিলাকব সমান কবি দিলে কোম্পানীব ডিবেক্টব বিলাকে বেয়া পাব। কাবণ ভাবতবাসীক বগা চাহাববিলাকব সমান তলপ দিবব নিয়ম নাই। গতিকে এশ টকা কম কবি দিয়াব ব্যবস্থা হল। মিহক বহুত দিন ঘব বাবী এবি আছে,—এবাব চাই অহা উচিত বুলি হেমন্তই তিনি মাহব কাবণে ছুটীলৈ ঘবলৈ আহিল। হাবিব মাজত খোৱা-লোৱা আক যৎ সামান্য কাপোব কানিব বাহিবে আন খবচ নাছিল। খোৱাবস্তুব কোম্পানীয়ে গাইকাবি বেচত কিনি বিনা লাভত নিজব মানুহক যোগাইছিল। গতিকে দবমহাব সবহ ভাগেই জমা থাকিছিল। তাব বাহিবেও ইমান সিফালে কবি কুলীব হাজিবা লিখা, কুইনাইনব সলনি কুলীবিলাকব মাজে সময়ে দেশী দবব খুবা প্রভৃতিব বাবে আনা চাহাবব দবে হেমন্তয়ো মহবিবিলাক আক ডাক্তবব পবা এটা অংশ পাইছিলে,—তাতেও কিছুমান টকা আঁজিছিল। ঘবত আহি মুঠতে কাপোব কানি আদিব বাহিবেও দহ হাজাব টকা ঋণ কৰকায়েকব হাতত দিলে। লগতে বৈশীয়েকব হাতলৈ ৫০০৲ টকা বেলেগে দিলে।

একে হেমন্ত তিনি বছব পিছত উন্নতিছে, তাব ওপবত ইমান বোব টকা আনিছে, যাক ঘবব কোনেও কেতিয়াও আশা কবা নাছিল। তাব খাতিব মতনব অন্ত নোহোৱা হল। ওচ্চ-চুবুবীয়া সকলে শুনিলে—বহুত টকা আনিছে; কিন্তু কিমান তাক হলে কোনেও নাজানে। গতিকে নিজ নিজ অনুমান আক কল্পনাব আশ্রয় লৈ কোনোবাই লাখ টকা, কোনোবাই পঞ্চাশ হাজাব বুলি কৈ ফুবিব ধবিলে। যাব যাব মনত হিংসা হব ধবিলে, সিহতে কলে—"ইঃ লাখটকা এটা মুখব কথা! বব বেছি হলে দুই চাবি হাজাব মান আনিব পাবে। তাবনো কিমান বিদ্যা বুদ্ধিটো?—গৈলে এই বোব বাজে কথা।"

আশুনাথ দদায়ে নিতৌ হেমন্তহঁতব ঘবলৈ আহিবলৈ ধবিলে। ইমান দিনে কুমুদিনীক সান্ত্বনা দিওঁতা তেওঁব বাজে যে আন কোনো নাছিল তাক নিতৌ সৌৱবাই দিব ধবিলে। পহিলা দিনা পাঁচ টকা আক নিতৌ দুই আনা চাবি আনা কবি খুজি লৈ যাব ধবিলে।

* * * * ৰ

ছুটীব তিনি মাহ বব আনন্দে কিন্তু বব বেগেৰে গাব হল। দেনাবাব পাওনাদাব সকলোবে সকলো গোলমাল মিটি গৈছে। মিতিব কুটুমৰ দিনে বাতিয়ে অহাযোৱা। টকা থকা বুলি শুনিলে মাবামে ধবা আত্মীয়তা বা বন্ধুত্ব ঘহি মাজি ছাফ চিকন কবা মানুহৰ দস্তব।

শবতব এটি লবা হৈছিল। তাব বয়স এত্তিয়া আঢ়াই বছব। এই কেইদিন দুদাইব কোলাত উঠি ফুবি

মিঠাই বিস্কুট আদি খাব পাই লগ নেৱা হৈছে। সেই কাৰণে হেমন্তৰো মন ঘৰ এৰিব নোখোজা হৈছে। কুমুদিনীও গিৰিয়েকৰ দীঘল প্ৰবাসৰ কথা মনত কৰি দুমুনিয়াহ কাঢ়িব ধৰিলে। কিন্তু হেমন্তক তাৰ কৰ্ত্তব্যই বৰকৈ টানিলে। বয়স আৰু শক্তি থাকোতে টকা আৰ্জ্জিব নোৱাৰিলে আৰু কেতিয়া অৰ্জিব, বিশেষ কৈ এগ্ৰিমেণ্ট দিয়া চাকৰ যেতিয়া। * *

ককায়েকে পত্ৰিকা খন চাই এটা ভাল দিন কৰি দিলে। সেইদিনা শুভক্ষণ বুজি ঘৰৰ সকলোৱে চকুৰ পানী, বয়স বুজি প্ৰণাম আৰু আশীৰ লৈ আৰু দি আকৌ কৰ্ম্মস্থল বুলি ৰওনা হল।

ছোৱালীয়েকক চাবৰ বাবে শাহুয়েক পাৰ্ব্বতীয়ে আহি এই তিনি মাহ একেলগে আছে। তেওঁ হাঁই হাঁই কৈ মুখ মেলি কান্দি দিলে।

৮

শৰতে জীৰ্ণ ঘৰবাৰী সংস্কাৰ কৰিললে। কমলিনীয়ে পৰামৰ্শ দিছিল—ঘৰ বাৰী বিলাক নতুনকৈ সাজি গৃহ বিলাসীতাৰ পৰিচয় দিবৰ বাবে। কিন্তু তেওঁৰ দৃষ্টি আছিল আন পিনে। বহি থাবৰ যাব ব্যবস্থা আছে তাৰ পক্ষে নগৰত ধুনীয়া ঘৰ শোভা পায়। যাৰ সামান্য চাকৰিৰ ওপৰত নিৰ্ভৰ তাৰ পক্ষে নগৰত ঘৰ বাৰী সাজি টকা বন্ধ কৰা কোনোমতে যুক্ত নহয়। আজি তেওঁৰ অভাৱ হলে, পৰিয়ালটো ঘৰ কামুৰি খাই জীয়াই থাকিব নোৱাৰে। তাতকৈ গাঁওত থেতি কৰা মাটি কিনি লব পাৰিলে, বিপদৰ সময়ত অন্ততঃ পেটত দুমুঠি ভাত দিব পাৰিব। লৰা ছোৱালীৰ শিক্ষা? টকা থাকিলে বোৰ্ডিঙত নাইবা কাৰো ঘৰত আশ্ৰয় লৈও পঢ়িব পাৰিব। তেওঁ আধামান টকা বেঙ্কত থৈদি বাকী আধা খিনিৰে এখন খাত কিনি ৰাখিলে।

শৰৎহঁতৰ অৱস্থাৰ পৰিবৰ্ত্তন হল। কমলিনীয়ে ঘৰৰ কৰ্ত্রী। কুমুদিনীয়ে অকল তাঁত বোৱে আৰু অবসৰ সময়ত মাছৰ বাকলিবে নানা নক্সা, টেবিল ক্লথ আদি সাজে। কমলিনীৰ সক লৰা বসন্তই এবাৰ মাকৰ কোলাত এবাৰ খুৰীয়েকৰ কোলাত যোৱা অহা কৰি থাকে। সংসাৰখন বৰ সুখৰ হৈ উঠিল। অকল হেমন্ত প্ৰবাসত, এয়ে যি দুখ।

মিতিৰ কুটুমৰ অহাযোৱা বাঢ়ি গৈছে। অৱস্থান লগে লগে বোধকৰো বিদ্যাবুদ্ধিও বাঢ়ি গৈছিল। নহলে যি বোৰ মানুহে কেতিয়াও শৰতক গ্ৰাহ্য নকৰিছিল, সিহঁতৰ হোৱা নোহোৱা কথাতে তেওঁৰ তাত পৰামৰ্শ নিমিত্তে আহিব ধৰিলে কিয়? কিন্তু অসুখা প্ৰবৃত্তি, পৰশ্ৰী কাতৰতা কিছুমান মানুহৰ বৰ প্ৰবল। শৰৎহঁতৰ সুখ দেখি কিবা সিহঁতৰ অসহ্য হল। কুমুদিনীৰ ওপৰত অতিমাত্ৰায় সহানুভূতি সম্পন্ন হৈ উঠিল। কমলিনীহঁতে যে তাইৰ সৰ্ব্বনাশ কৰিব ধৰিছে, দিনে ৰাতিয়ে চুচলাই মন ভাঙ্গিলে—তাৰ ফলত ঘৰ ভাঙ্গিল।

৯

আশুনাথ দদাইে হেমন্তৰ আগত যেতিয়া তাৰ প্ৰশংসাত শত মুখ হৈছিল তেতিয়া কমলিনীয়ে হাঁহি দিছিল। দদাই দেৱে ভাবিলে, এই কমলিনী ছোৱালীজনীৰ প্ৰগল্ভতা বা পাতলামিতে তেওঁৰ প্ৰাপ্তি কমিল। নাইবা যি মানুহে লাখ টকা ঘৰলৈ লৈ আছিলহি সেই মানুহে তেওঁক একশ মান টকাও নিদিলেহেঁতেন নে?—নিশ্চয় দিলে হেঁতেন। এনেই নিদিলেও ধাৰলৈ দিব পাৰিলেহেঁতেন অৱশ্যে।

আশুনাথ দদাই কাৰো বাপেকৰ ভায়েক নহয় অৱশ্যে, কিন্তু তেওঁ এই নগৰৰ সকলোৰে দদাই। সকলোৱ ঘৰতে অবাধ গতি। সকলোৱে পৰা টকাটি, সিকাটি খুজি থায়। কেতিয়াবা ধাৰ বুলি লৈ যায়। নকলেও চলে—সুজিবৰ কথা হলে কোনেও শুনা নাই। * * তেওঁ কমলিনীয়ে মুন্তনাকৈ কুমুদিনী আৰু তাইৰ মাকৰ প্ৰশংসা গাই মাজে সময়ে দুই একোকা কৰি খুজি লৈ যাব ধৰিলে। অকল সেয়ে হলে কোনো কথা নাছিল। কুমুদিনীক বুজাবলৈ ধৰিলে এই সংসাৰ তাইৰ বিবিয়েকৰে। শৰতৰ নো কিমান উপাৰ্জ্জন?

পাৰ্ব্বতীয়ে পতিবিয়োগ বিধুৰা জীয়েকক এৰি ঘৰত যাব পৰা নাই। কুমুদিনীয়েও এৰি দিয়া নাই। তাৰ ওপৰত ঘৰত জা আৰু দেৱৰৰ লগত সদায় দন হৈ থাকে

কাৰণে তেওঁক বেলেগ কৰি দিছিল। এতিয়া অকলশৰীয়া তেওঁ। গতিকে ঘৰ-বাৰী এৰি জোৱাইৰ ঘৰতে স্থায়ীৰূপে অধিষ্ঠান কৰিবৰ ব্যৱস্থা হল। কেই দিনমান থাকি তেওঁ জীয়েক আৰু জোঁৱাইকৰ ভবিষ্যত ভাবি অস্থিৰ হ'ল। কুমুদিনীক ভাল কৰি বুজাই দিলে যে,—'তাই অপমান ভোঠ হোৱা উচিত, নহলে নিজৰ, সম্পত্তি লোকে ধ্বংস কৰিব।' দদায়ে সি কথাৰ ধুৰা ধৰিলে। কুমুদিনী সত্যযুগৰ ছোৱালী নহয়। এই কলি যুগৰে! নিজৰ গিৰিয়েকৰ অৰ্জ্জা সম্পত্তিৰ ওপৰত আনৰ কৰ্ত্তৃত্ব ভাল নলগা হল। ওচৰ চুবুৰীয়া দুই চাৰিজন বয়সীয়াল তিৰোতাৰ পৰাও এই সম্বন্ধে সহানুভূতি পাই কুমুদিনীয়ে এদিন আত্ম প্ৰকাশ কৰিলে। এটা কিবা সামান্য কথা লৈ জাকৰ লগত দন লাগি একে লগে নোখোৱা হ'ল। পাৰ্ব্বতীৰ মনোবাঞ্ছা পূৰ্ণ হল।

শৰতে ভাই-বোৱাৰীক বুজাবলৈ চেষ্টা কৰিলে। কমলিনীয়ে দোষ নথকাতো নিজৰ ত্ৰুটী বুলি স্বীকাৰ কৰিলে, কিন্তু কুমুদিনীয়ে কোনো কথা শুনিলে বা তাইৰ মাকে শুনিব নিদিলে।—বেলেগে থাব ধৰিলে।

শৰতে নিকপায় হৈ আশু দদাইক মোক্তাৰ ধৰিছিল:—"বাক, কম দে। ই কি কথা। একে পেটৰ ভাই ককাইৰ সংসাৰ। তাৰ মাজত নো এইবোৰ কি! মই কুজাই দিম বোপা:—তই একো নাভাবিবি।"

বুলি কৈ আশুনাথ দদায়ে কুমুদিনীৰ ওচৰত যাই মিচিকি হাঁহি এটা মাৰি আনে মুন্তনাকৈ কব ধৰিলে "চা, তোক বুজাই ববাই আকৌ একে লগ কৰি দিব লাগে। মোৰ বোপায়ে বুজি পাইছে লোকৰ দন ভাগি ভোগ কৰাৰ সুবিধা আৰু সবহ দিব নাথাকিব। তই কাৰো কথা শুনিবি।"

পাৰ্ব্বতীয়ে হাঁহি হাহি ওচৰত আহি বহি মাত লগালে:—"স্বাৰ্থ! স্বাৰ্থ!! মই থাকোমানে মিলিব নিদিওঁ:—যি বেলেগ হল হলেই।"

দদায়ে অভয় দি উত্তৰ দিলে—"মই থাকাতে তোমালোকৰ একো ভয় নাই। অধৰ্ম্ম কৰি কাৰো সৰ্ব্বনাশ কৰা মই সহিব নোৱাৰোঁ।—পিছে ছুটামান টকা নিদিলে আজি মোৰ নচলে দেখো। তোমালোকৰ থাই মই মানুহ।"

আশুনাথ দদাইৰ ধৰ্ম্ম জ্ঞান চাই কুমুদিনীৰ হাঁহি ওলাইছিল। কিন্তু এনে এজন সহানুভূতি দেখুৱা মানুহ জনক বৰ ভাল লাগিল। পৰম সমাদৰে বহুৱাই তামোল চালি দিলে। নানা গোপন পৰামৰ্শৰ পিছত ছটা টকা দি বিদায় কৰিলে।

যাবৰ সময় আশুনাথ দদায়ে শৰৎ আৰু কমলিনীক লগধৰি কলে কাণে কাণে—"ভয় নাই। অৱজ্ঞ! খণ্ডত বেলেগে ৰাঙ্ক খাইছে, খাৰক চোন কেই দিনমান তোমালোকৰ ওপৰত ভক্তি আছে। বাক আজি আহিলো কাইনৈ আকৌ আহিম। বুজাই ঠিক কৰিম। পিছে মোক ছটা মান টকা লাগিছিল। তোমালোকৰ থাই মই মানুহ।" শৰতে ঘৈনীয়েকক এটা টকা আনি দিবলৈ কলে:—উপকাৰী বন্ধুৰ অভাব!

১০

হেমন্তই ককাক আৰু বৌৰেকৰ বিৰুদ্ধে ঘৈনীয়েকৰ পৰা নানা কথা লিখা চিঠি পাব ধৰিলে। দোষৰ অন্ত নাই! বিদেশত থাকি এইবোৰ ঘৰুৱা বিবাদৰ কথা জানিব পাৰি অশেষ অশান্তিত পৰিল। বুজিব পাৰিলেও মনিয়ে প্ৰবেশ কৰিছে। ককায়েক আৰু বৌয়েকে কিন্তু ভিতৰুৱা কোনো কথা নিলিখি অকল এখন চিঠিত লিখিছিল—'তাৰ ঘৈনীয়েকক অৰ্থাৎ কুমুদিনীক কৰ্ম্মস্থলত লৈ যাব পাৰিলে ভাল আছিল।'

বিদেশত অকলে থাকি হেমন্তয়ো যে মাজে সময়ে ই কথা কল্পনা কৰা নাছিল তেনে নহয়। কিন্তু অস্বাস্থ্যকৰ বিদেশ,—সাত সমুদ্ৰ, তেৱ নৈৰ পাৰ! অৱশ্যে বৰ্ত্তমানে হাবি কটা প্ৰায় শেষ হৈছে:—এতিয়া নানা বিধৰ বৈজ্ঞানিক যন্ত্ৰৰ সহায়েৱে থেতি হব ধৰিছে। কোম্পানীৰ লাভৰ পৰিমাণ দিনক দিনে বাঢ়ি যোৱাত, নগৰ নবহিলেও ডাঙৰ লোকালয় সৃষ্টি হৈ গৈছে। নানা কল, কজা, কাৰখানা বহিছে। তাতে কি? চাকৰী জীৱন স্বাধীন চেতা মানুহৰ কেতিয়াও ভাল নালাগে। টকা আজিৰেৰ

বাবে বিদেশত পৰি থাকিলেও বিদেশত জীৱন কটোৱা তাৰ সমূলি ইচ্ছা নাই। বিশেষকৈ প্ৰবাসত থাকি দেশৰ প্ৰতি টান আৰু জাতিৰ মান সম্ভ্ৰমৰ ফালে দৃষ্টি বহুত বাঢ়ি গৈছে। গতিকে কুমুদিনীক লৈ যাবৰ নিচিনা অসম্ভৱ চিন্তা মনতো স্থান নিদিলে। বৰং তাৰ বিশ্বাস হল—ঘৈনীয়েকক আৰু পাঁচটা মান টকা বঢ়াই দিলে আৰু কমলিনীৰ নামত বেলেগে কুৰি টকা কৰি মাহিলি পঠিয়াই দিলে পৰসুৰ হিংসা গুছি দুয়ো জায়ে মিল হব। * * *

হেমন্তৰ শুভ ইচ্ছা নফলিল। কমলিনীক বেলেগে টকা পঠাই দিয়া দেখি হিংসাত পাৰ্ব্বতীৰ, এতেকে কুমুদিনীৰ অন্তৰ পুৰি যাব ধৰিলে। আদ্যনাথ দদায়ে—জুইত বতাহ দিব ধৰিলে। তাই নানা মান-অভিমান কৰি গিৰিয়েকক চিঠি লিখিলে—যে হেমন্তৰ এনে ব্যৱহাৰত শত্ৰুয়ে হাঁহিছে—মিএই কান্দিছে।'

ভিন ঠাইত থাকি চাকৰি কৰাত ককাই-ভাইৰ মৰম ভক্তি বাঢ়ি গলেও, হেমন্ত অলপ দুশ্চিন্তাত পৰিল। কাৰণ লোকৰ ছোৱালীক বিয়া কৰি আনি সুখ দুখৰ ভাৰ নিজ মূৰত লোৱা হৈছে যেতিয়া,—তাই যাতে বেজাৰ নাপায় তাৰ প্ৰতি দৃষ্টি দিব লাগিব। ভাবি চিন্তি কুমুদিনীক এখন চিঠি লিখিলে—"...তোমাৰ কথাকে ৰাখা হব। বৌদেওৰ লগত মিলা প্ৰীতি হৈ থাকিবা। শত্ৰুৱে হাঁহে,—এই ঘৰুৱা দনৰ কথা গম পাই। মোৰ এগ্ৰিমেণ্ট অন্ত হবৰ আৰু পলম নাই। গলেই সম্পত্তি ভাগ কৰি লোৱা হব। এতিয়া মনে মনে থাকিবা।"

চিঠি পাই কুমুদিনীৰ মহা আনন্দ। পাৰ্ব্বতীৰ ৰং চায় কোনে! পৰামৰ্শ দাত্ৰী আন তিৰোতাবিলাকেও অৰিয়া অৰি ধৰিলে কোনে আগে কুমুদিনীক সৎপৰামৰ্শ দিছিল বুলি। আদ্যনাথ দদায়ে হাঁহি হাঁহি কলে—"চালি? দে দহ টকা ৰূপ।"

চিঠি পোৱাৰ পিছদিনা শ্যামসুন্দৰৰ নাম দিয়া হল।

হেমন্ত আকৌ সুস্থ শৰীৰ আৰু বহুত টকা লৈ ঘৰ আহি পালে। কলিকতাৰ পৰা ঘৰৰ সকলোৰে কাৰণে কাপোৰ কানি, বসন্তৰ বাবে বিস্কুট, বিলাতি মিঠাই আৰু নানা কল কব্জা থকা পুতলা লৈ আহিছে। তাৰ বিশ্বাস সকৰে পৰা কল কব্জা লৈ উমলি থাকিলে ভবিষ্যতত ইঞ্জিনীয়াৰ হবৰ বা বৈজ্ঞানিক আলোচনাৰ প্ৰবৃত্তি জন্মে। বসন্তৰ বয়স এতিয়া প্ৰায় ছয় বছৰ, তাৰ এজনী সৰু ভনীৰ হৈছে। তাইৰ নিমিত্তে পুতুলা আদি আনিছে। সি বোৰ পাই তাইৰ মহাখুছি। কুমুদিনীৰ কথা কবকে নালাগে বিদেশৰ পৰা গিৰিয়েক আহিছে!—সিও আকৌ সুদা হাতে নহয়;—বহুত ধন আনিছে! ইমান দিনৰ পিছত সম্পত্তি ভাগ বাটিলৈ কৰি প্ৰকৃত বেলেগ হব পাৰিব। কাৰো তলতীয়া হৈ থাকিব নালাগিব।

ৰং নাই কেৱল শৰৎ আৰু কমলিনীৰ। কাৰণ তেওঁলোকে জানিব পাৰিছিল—'ঘৰত আহি তাৰ প্ৰধান কাম হব—সম্পত্তি ভগাই লোৱা।'

শৰৎ অদৃষ্টবাদী হলেও ৰোজগাৰী ভায়েকৰ লগত বেলেগ হব লাগিব বুলি বৰ বেয়া পাব ধৰিলে। কিন্তু স্বাবালক ভায়েক; দুখৰ দিনৰ মৰম স্নেহ পাহৰি, যদি স্বোপাৰ্জ্জিত সম্পত্তি সমূলি লৈ যায়, তাত তেওঁৰ কৰ লগীয়া কি আছে? ল'ৰা ছোৱালীৰ ভবিষ্যত? কপালত যি আছে সেয়ে হব। তাত দুখ বেজাৰ কৰিবৰ কি আছে?—বুজে সকলো, কিন্তু মন নুমালে ক'ত? মুখ গধুৰ হৈ থাকিল। মনত এটা বৰ অভিমান আছিল যে সৰু ভায়েকে তাৰ ঘৈনীয়েকৰ কথাতে তেওঁক স্বাৰ্থপৰ পাষণ্ড বুলি ভাবিলে। হব পাৰে কিবা ব্যৱহাৰত উনৈশ-বিশ হৈছিল, হব পাৰে কোনো কামত কিবা ত্ৰুটী হৈছিল। ভুল-চুক নহয় কাৰ! কিন্তু ভায়েকে এনে শিক্ষা পাইছিল যে, ককায়েকতকৈ ঘৈনীয়েকৰ, বেছি জ্ঞান বুলি ধৰি লৈ তেওঁ এক আষাৰ কথা সুধিবৰো দৰকাৰ বোধ নকৰিলে। এক তৰফা ডিগ্ৰী দি দিলে,—তেওঁৰ লগত দ্বিধা হবৰ অলপো ইতঃস্তঃ নকৰে, অলপো বেয়া নালাগিল।

হেমন্তই ককাই দেৱেকৰ লগত কথা হৈ থাকোতে কমলিনীয়ে চাহ আৰু জা-জলপান আনি দিলে। খাব, এনেতে পাৰ্ব্বতীয়ে তাক মাতিলে "হেৰি তোমাৰ শোৱা ঘৰতে আই কণে চাহ বাকি বহি আছে নহয়।"

হেমন্তই একবাৰ সি ফালে মুখ তুলি "গৈছো বুলি কৈ

বসন্ত আৰু তাৰ সৰু ভনীয়েক জনীক মাতি একেলগে যাব ধৰিলে। তাকে চাই শৰতৰ চকুৰেদি আনন্দৰ দুই টোপা পানী ওলাল। কমলিনীয়ে পুতেক আৰু জীয়েকক কলে—"দদাই দেও খাবৰ সময়ত কি দিগদাৰিখন লগালি তইঁতে—গুছি যা।"

আইতাৰ ধমকি খাই দুয়ো এবাৰ দদাই দেওৰ মুখৰ ফালে চালে। আপোন বুলি জানিলেও, এজনৰ অলপ পৰিচিত হলেও সৰু জনীৰ নিচেই অপৰিচিত, কিন্তু দদাই দেওৰ স্নেহময় দৃষ্টি দেখি মাকৰ শাসনৰ হেতু বুজি নাপালে, হেমন্তই বৌৱেকৰ কথাৰ উত্তৰ দিলে "নহয় একো দিগদাৰি;—খোৱা তোমালোকে।" তেতিয়া ভাই-ভনী দুয়ো এবাৰ আইতাৰ ফালে অনুমতিৰ নিমিত্তে দৃষ্টিপাত কৰিলে, মাকক অলপ হঁহা দেখি দুয়ো নিৰ্ভয়ে দদায়েকৰ জলপানৰ অংশ লব ধৰিলে।

কুমুদিনীয়ে এনে পলম ভাল নাপাই আকৌ তাইৰ মাকৰ হতুৱাই গিৰিয়েকক তাগাদা কৰিলে—"চাহ চেঁচা হৈ যায়।"

হেমন্তই অলপ লাজ পালে। এবাৰ ককাক আৰু এবাৰ বৌৱেকৰ মুখৰ ফালে চাই লৈ শাহুয়েকৰ ফালে মুখ কৰি কলে—"কি আছে, ইয়ালৈ লৈ আহিব কৈ দিয়ক।"

* * * *

ঘৈনীয়েকে যে 'শয্যাগুৰু'—কুমুদিনীয়ে সেই কথা ভাল কৰি প্ৰমাণ কৰিলে। ওৰে ৰাতি গিৰিয়েকৰ কাণত বিষ ঢালিলে। শৰৎ আৰু কমলিনীয় অসৎ ব্যৱহাৰ, স্বাৰ্থপৰতা প্ৰভৃতিৰ কথা কৈ কৈ হেমন্তক প্ৰতিজ্ঞা কৰালে যে,—'পলম নকৰি, কাইলৈ পুৱা ওচৰ চুবুৰীয়া সকলোকে মাতি আনি, সিহঁতৰ মুখৰ আগতে সম্পত্তি ন্যায্য মত ভাগ কৰি লোৱা হব।'

১২

আজি শৰৎ আৰু হেমন্তই সম্পত্তি ভাগ কৰি লব। যাক যাক মতা হৈছে তেওঁলোক আহিছেই, নমতা কিছুমানেও ৰং চাবৰ কাৰণে আহি উপস্থিত। আদ্যনাথ দদায়ে আজি যেন ডেকা কাল উভতি পালে। তেওঁৰ স্ফূৰ্ত্তি, তেওঁৰ লৰা-ধপৰা চায় কোনে। এবাৰ পাৰ্ব্বতী আৰু কুমুদিনীৰ ওচৰত এবাৰ হেমন্ত আৰু শৰতে বহিথকা ঠাইত ঘূৰা-পকা কৰি আছে। হেমন্তৰ মুখত অলপ অলপ হাঁহি! কুমুদিনী কোঠালীৰ ভিতৰত কিন্তু তাইৰ মুখত হাঁহি বিৰিঙি উঠিছে। পাৰ্ব্বতীৰ দৃষ্টি চাৰিও ফালে ঘূৰিছে জোৱাই আৰু জীয়েকৰ যেন ঠগা নহয়। আৰু শৰৎ?—ধীৰ, গম্ভীৰ, মাতবোল নোহোৱা। কমলিনীৰ চকুত পানী, এটা অনিৰ্দ্দিষ্ট আশঙ্কা আৰু অজানা কিবা উত্তেজনাৰ পৰা। * * *

বাকছ, পেৰা, বিছনা-পাটি এবিধ এবিধকৈ সকলো বস্তু উলিৱা হল। অকল মলা, চৰু, কলহ, ডেলি কুলা প্ৰভৃতি কিছুমান সাধাৰণ বস্তু বাকি ৰল। হেমন্তই চক্ষু লজ্জা নেহোৱাৰ নিচিনাকৈ কলে—"কাৰো ঘৰত এটা মলাকো ৰাখিব নোৱাৰিব। সকলো উলিয়াই আন দহ ককাই ভাইৰ মুখৰ আগত ন্যায্য মত ভাগ হব, যেন আগলৈ কাৰো কোনো কথা কবলৈ বাট নাথাকে।"

শৰতে কি আৰু কব অকল সুধিলে "ল'ৰা-ছোৱালীৰ বস্তু বিলাকো উলিয়াব লাগিব?"

হেমন্তই ঘৈনীয়েকৰ লগত দৃষ্টি বিনিময় কৰি পিছত কলে—"এৰা! ভাগ বাটোৱাৰা যেতিয়া হব ভাল কৰিয়েই হওক।"

শুনি শৰতৰ এবাৰ ভ্ৰূকুঞ্চিত হল। এই কথাত কোনো কোনোবাই হেমন্তক মনে মনে বৰ ক্ষুদ্ৰ অন্তৰ, বৰ বেয়া বুলিবলৈ ধৰিলে। আদ্যনাথ দদায়ে মাতিলে—"মোৰ বোপা হেমন্তৰ যেনে চোকা বুদ্ধি তেনেই বিবেচনা—চা ছোন কেনে কথা?"

শৰতে এটা হমুনিয়াহ কাঢ়ি অকল সিবোৰ কিয়, ফটাকানি পৰ্য্যন্ত উলিয়াই দিলে। হেমন্তই গহীন হৈ ঘৈনীয়েকক সুধিলে—"সকলো ওলালনে আৰো কিবা আছে!"

পাৰ্ব্বতীয়ে লৰমাৰি কমলিনীৰ ঘৰত সোমাই এটা পিতলৰ কলহ আৰু কাঁলিৰ ঘটি এটা উলিয়াই কলে—"এই চাওক সকলোৱে কেনে চুৰণী।"

কমলিনীয়ে চিঁৰি কৈ উঠিল—"সেই ছটা মোৰ দেউতাৰ ঘৰৰ।"

শৰতে থং কবি কলে "থাম, নামাতিবি।—উলিয়াই দিব কোৱা হৈছিল,—বাৰিছিলি কিয়?"

বসন্ত আৰু তাৰ ভনীয়েকে সিহঁতৰ খেলনাবিলাক উলিয়া দেখি নিব গৈছিল। পাৰ্ব্বতীয়ে লৰমাৰি হাতৰ গৰা কাঢ়ি লৈ থৈ দিলে। সিহঁতে কান্দিবলৈ ধৰিলে। হেমন্তই দেখি ভ্ৰুকুটি কোচালে মাথো, একো নামাতিলে।

সকলো বস্তু ওলাইছে জানিব পাৰি হেমন্তই গহীন হৈ উপস্থিত সকলোকে সম্বোধন কৰি কলে—"আমালোক দুই ভাই-ককাই তাক আপোনালোকে জানে। সকতে দেউতা ঢুকালত এই ককায়ে মোক প্ৰতিপাল কৰি মানুহ কৰিছিল,—শিকা দিছিল—পিছত বিষাধন দি সংসাৰ কৰি দিছিল।"

সকলোৱে উত্তৰ দিলে "এবা আমি জানো সিৰোৰ কথা।" আশু দদায়ে মাতিলে—"পিছে তোমালোকৰ দেউতাই কিছু মাটি-বাৰী কৰি থৈ গৈছিল নহয়? শৰতে অকল তাৰ নিজৰ অৰ্জ্জা টকাবে ধুলি কলে অন্যায় কথা হব।"

"মই কেতিয়াও তেনে কথা নকও" ধুলি শৰতে গৰ্জ্জি উঠিল।

হেমন্তই আকৌ কবলৈ ধৰিলে—"ঠিক কথা। সি বিলাক মই জানো। আপোনা লোকে জানিব পাৰে সিখিনি মাটিৰ পথা যিখিনি ধান আছে, তাতে আমালোকৰ ছমাহ চাউল কিনিব লালাগে। বাকী খৰচ খিনি ককায়ে মুৰৰ ঘাম ভবিত পেলাই অজ্জা টকাবে চলাইছিল,—ই ধুকপ। যি নহক কিয়, ককাইদেৰে সংসাৰ চলোৱা টকাখিনে সুদে মূলে ধৰিলে কিমান হব পাৰে?"

"কিমান আৰু হব? মাহে ৩০৲ টকা কৰি ধৰিলে বছৰে ৩৬০৲ টকা আৰু দহ বছৰত ৩৬০০৲ টকা হব। তোমাৰ নিমিত্তে তাৰ আধা ধৰা।" বৈৰী কৈ আশু নাথ দদায়ে এবাৰ যাই পাৰ্ব্বতীৰ লগত পৰামৰ্শ কৰি আহিল।

হেমন্তই "বাৰু আশুনাথ দদাইৰ কথাকে ধৰা যাওক। তাৰ উপৰি চক্ৰবৃদ্ধি সুদ আদি কৰি মোট পাঁচ হাজাৰ টকা ৰূপ। এই পাঁচ হাজাৰ টকা মই বেলেগে ককাইদেৰৰ ছোৱালীৰ নামত দি দিওঁ।' বুলি পাঁচ হাজাৰ টকাৰ নোট উলিয়াই ককাইৰ ভবিৰ ওচৰত থৈ দিলে। শৰতে দুমুনিয়াহ কাঢ়িলে মাথো।

আশুনাথে কলে "বোপা, ভালকৰি বাৰি বৈদে" শৰতে একো নামাতিলে, টকাও দুখুলে! হেমন্তই আকৌ কব ধৰিলে "বাৰু আনবোৰ মালবস্তু টকা পইছা মোৰ অৰ্জ্জা টকাবে হৈছে যেতিয়া, সিবিলাক একফালে আৰু মই এক ফালে থিয় হলোঁ। ককাই স্নেহ কণক আপোনাক কি লাগে।" পিছত দৈনন্দিনৰ মাতি কলে—"তুমি কি নিবা কোৱা?—মোক লাগে নে এই সম্পত্তি লাগে?"

কথাগুনি সকলোৱে আচবিত; কুমুদিনীৰ মুখৰ হাঁহি মুখতে মিলি গল। মনৰ আবেগত ককাইকে উঠি ভায়েকক সাৰটি ধৰিলে।



ভক্তিমার্গ

(২)

—শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা

ভক্তি মানে কি? ভক্তি মানে ঈশ্বৰৰ প্ৰতি একান্ত অনুৰাগ; প্ৰগাঢ় প্ৰেম। ভক্তিৰ মাৰ্গক ইংৰাজীত —the path of devotion and love বুলিব পাৰি। ভক্তি মধুৰতকৈয়ো সুমধুৰ। সেইদিখি ভক্তি মুক্তিতো নিস্পৃহ। মহাপুৰুষ শ্রীশঙ্কৰদেৱে তেওঁৰ অমূল্য গ্ৰন্থ ঘোষাৰ প্ৰথম শাৰীতে লেখিছে—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো;
বসমযী মাগোহো ভকতি।"

ভক্তি লাভ কৰিলে মানুহ সিদ্ধ হৈ যায়, অমৃত হৈ যায় আৰু সৰ্ব্বতোভাবে পৰিতৃপ্ত হয়। ভক্তিয়ে মানুহৰ শোক তৃষ্ণা দূৰ কৰে; আৰু ঈশ্বৰৰ বাহিৰে আন একোতে মানুহৰ ৰতি নাথাকে। ভক্তিৰ উন্মেষত ভগবদ্ভক্তৰ গা বোমাঞ্চিত হয়, চকু আনন্দাশ্রুপুলকিত হয়, আৰু তেতিয়া তেওঁ প্ৰহ্লাদ আৰু বলিৰ নিচিনা, আচৰণ কৰে দেনে:—

"কৃষ্ণক চিন্তন্তে ভৱে মন।
কেহো বেলা কৰন্ত ক্ৰন্দন॥
কেহো বেলা হাসন্ত আহ্লাদে।
কতো ওণ গাৱন্ত প্ৰহ্লাদে॥
গোবিন্দক আনন্দে ডাকন্ত।
লাজ এৰি কতোহো নাচন্ত॥
হৰি বুদ্ধি হোৱে আপোনাক।
কতো কৰে কৃষ্ণৰ চেষ্টাক॥
আনন্দে লোতক যায় বহি।
নামাতি থাকন্ত কতো বহি॥
হৰিযতে তনু বোমাঞ্চিত।
কৃষ্ণতে অৰ্পিল প্ৰাণ চিত্ত॥
এই মতে কৰন্ত ভকতি॥
আন বিষয়ত নাহি মতি॥

(কীৰ্ত্তনঘোষা)

"ভৈলন্ত বিমুখ বলি বিষয় মুখত।
সদায় কৃষ্ণৰ নাম সুখুচে মনত॥
উঠি কতো কীৰ্ত্তন কৰন্ত তাল ধৰি।
দৈত্যগণে বেঢ়ি বাৰে চৌপাশে চাপৰি।
প্ৰহ্লাদে শিখাস্ত গাৱে গোবিন্দৰ গীত।
পৰম আনন্দে দৈত্যপতি কৰে নৃত্য॥"
গোবিন্দক দেখিয়া আনন্দে ভৱে চিত।
হৰিষে লোকত ৰবে তনু বোমাঞ্চিত।
হোন্ত নিশবদ গদ গদ কৰে মাত।
প্ৰেম ভাৱ উপজি পৰন্ত ঢাত ঢাত॥
ভকতৰ বশ্য হৰি আকলিয়া বলি।
কতো অতি হৰিষে হাসন্ত খলখলি॥
কতো হুকহুকী কৰি কৰন্ত ক্ৰন্দন।
কতো গীত গাস্ত বিৰোচনৰ নন্দন॥
কতো হৰি বুলি গেৰিয়াস্ত ইন্দ্ৰ সেন।
উঠি উঠি পৰন্ত নাচন্ত বাউল যেন॥
কতো মৌন হয়া পৃথিবীত পৰি থাকে।
কৰয় কীৰ্ত্তন তাক বেঢ়ি দৈত্যাজাকে॥
হেন ভক্তিভাবে দৈত্যেন্দ্ৰৰ দিন যায়।"

মীৰাবাইৰো এনে অৱস্থাই হৈছিল। তেওঁ কৈছিল:—"মৈতো হৰিগুণ গাৱত নাচুঁগী।" শ্রীমদ্ভাগৱত নৱম স্কন্ধত নিমি নৱসিদ্ধৰ কথোপকথনত ভগবদ্ভক্তিৰ লক্ষণ এনেকুৱাকৈয়ে বৰ্ণিত হৈছে।

কোনো কামনা পূৰ্ণ কৰিবলৈ কৰা ভক্তি আচল ভক্তি নহয়। নৃসিংহই যেতিয়া প্ৰহ্লাদক বৰ যাচিলে, প্ৰহ্লাদে

"বাঞ্ছে ফল তনু কবি কৃত্য।
সিটো বাণিজ্যাৰ নোহোঁ ভৃত্য॥

তোমাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী॥
নাহি কাম আমাৰ অন্যথা।
নাহি ৰাজ সেৱকৰ যথা॥"

অৰ্থাৎ মই বেপাৰী বা বলিয়া নহওঁ; মই তোমাৰ ভক্ত মাথোন।

ভক্তি নিৰোধ স্বৰূপ। লৌকিক আৰু বৈদিক কাৰ্য্যবোৰৰ সম্পূৰ্ণ সন্ন্যাসৰ নাম নিৰোধ। মানুহ ঈশ্বৰত একান্তমনেৰে শৰণাপন্ন হলে, লৌকিক আৰু বেদবিহিত কৰ্ম্মাদিৰ আচৰণত আৰু তেওঁৰ প্ৰবৃত্তি নহয়। ভক্ত তেনে বিধ ধৰ্ম্মাধৰ্ম্মজ্ঞান বিবৰ্জ্জিত। ঈশ্বৰত তদ্গতচিত্ত হলে ভক্তৰ আৰু আন একোতে স্পৃহা নাথাকে। কিন্তু যি পৰ্য্যন্ত ঈশ্বৰত নিশ্চয়াত্মিকা বুদ্ধি দৃঢ় নহয় সেই পৰ্য্যন্ত শাস্ত্ৰমৰ্য্যাদা ৰক্ষা কৰি লৌকিক আৰু বেদবিহিত কাৰ্য্য কৰাটো বিধেয়। ভক্তিৰ অপৰিপক্ক অৱস্থাত সেইবোৰ এৰি দিলে ঠেক ছিগি পৰিবৰ ভয় থাকে। কিন্তু ভক্তি পকিলে লাও বা কোমোৰাৰ ফুলটো আপোনাআপুনি সৰি পৰাদি সেইবোৰ আপোনাআপুনি সৰি পৰিব; তালৈ বিশেষ যত্ন কৰিব লগীয়াও নহয়। ভক্তি পৰিপক্ক হলে, কৰ্ম্ম আপোনাআপুনি গুচি যায়। পুলি গছক যেনেকৈ বেৰ লাগে, নতুবা তাৰ বিনাশ অৱশ্যম্ভাবী, সেই দৰে ভক্তৰ প্ৰথম অৱস্থাত লৌকিক আৰু বৈদিক কৰ্ম্মৰ বেৰ আৱশ্যক। এইবাবেই আমাৰ মহাপুৰুষে ঘোষাত লেখিছে—

তাৰত কৃষ্ণৰ ভক্ত নৰে, ভক্তি অবিৰোধী কৰ্ম্ম কৰে,
কৃষ্ণৰ কথাত ৰতি যেবে নোপজয়।
যাৰে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সব ত্যজয়॥"
অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা হৈবেক নিশ্চয়!
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয়॥"

ভক্তিৰ লক্ষণৰ বিষয়ে নান মুনিৰ নানা মত। সকলোবোৰ মতেই আংশিকৰূপে যে সত্য তাত সংশয় নাই। বেদব্যাসৰ মতে ঈশ্বৰৰ পূজাদিত অনুৰাগৰ নামেই ভক্তি। অৰ্থাৎ পূজা কৰোঁতে প্ৰেম উপজিব। প্ৰেম পৰিপক্ক অৱস্থাত বাহ্য পূজা আৰু মানসিক পূজা আৰু নাথাকে। গৰ্গ ঋষিৰ মতে ঈশ্বৰৰ গুণানুশ্ৰৱণেই সাৰ ভক্তি। শাণ্ডিল্যৰ মতে এক মাথোন আত্ম-চৈতন্যত আন সকলোবোৰ জলাঞ্জলি দি পূৰ্ণানন্দত নিমগ্ন থকাই ভক্তি। কিন্তু নাৰদৰ মত হৈছে;—স্বকৃত সকলো কাম ঈশ্বৰত সমৰ্পণ কৰি, তেওঁক পাহৰিলে, আকৌ তেওঁক পাবলৈ অতি ব্যাকুলতাই ভক্তি। সকলো কৰ্ত্তব্য কাৰ্য্য কৰি তাৰ ফল ঈশ্বৰত সমৰ্পণ কৰি যদি এনেভাৱে ঈশ্বৰক কব পাৰোঁ—"হে ঈশ্বৰ এইবোৰ তোমাৰ দ্বাৰাই প্ৰণোদিত হৈয়েই মই কৰিছোঁ; মই যন্ত্ৰ তুমি যন্ত্ৰী; আৰু এইবোৰ তোমাৰেই পূজা, তেন্তে আৰু একো বাকি নাথাকিল। কিন্তু যদি এইবোৰ কাম কৰোঁতে কৰোঁতে ওপৰৰ কথা পাহৰি "মই কৰ্ত্তা, মই ভোক্তা" এনে অভিমান মনলৈ আহে, তেন্তে, আকৌ যেতিয়ালৈকে, "মই কৰ্ত্তা ভোক্তা একো নহওঁ, হে ঈশ্বৰ তুমিহে সকলো, আৰু তুমিহে সকলো কৰাইছা" এনে ভাব নাহে, একান্ত বিশুদ্ধচিত্তৰ আকৌ তেওঁক স্বামী স্বৰূপে তুমি বৰিব নোৱাৰা তেতিয়ালৈকে তুমি প্ৰকৃত ভক্তি লাভ কৰিব নোৱাৰা। তেওঁৰ বিৰহত যেতিয়া তোমাৰ অন্তৰত বেদনাৰ ব্যাকুলতা হব তেনে অৱস্থাই প্ৰকৃত ভক্তি।

অহং জ্ঞান ঈশ্বৰ লাভৰ পৰিপন্থী। উদাহৰণ;—

"দিনেক যশোদ নন্দজায়া।
আপুনি মথন্ত দধি গৈয়া।"

এনেতে

"মাৱক ধৰিলা কৃষ্ণে আসি॥
মথনিত ধৰিয়া নিষেধি।
মথিবাক নেদে আৰ দধি॥"

জশোদাই

"হাসি কোলে লৈয়া নন্দ জায়া।
দিলা স্তন পুত্ৰমুখ চায়া॥"

এনেতে জশোদাই—

"দেখন্ত উঠলি দুগ্ধ পৰে।
পুত্ৰ এৰি গৈলন্ত লৱৰে।"

সেই দেখি—

"স্তন পীবে নপায়া কৃষ্ণৰ।
কোপে কাম্পে অৰুণ অধৰ॥
দশন কামুৰি অতি চাণ্ড।
শিলায়ে ভাঙ্গিলা দধি ভাণ্ড॥" ইত্যাদি।

যশোদাই উভতি আহি কৃষ্ণৰ কাণ্ড দেখি

"দেখিয়া যশোদা লৈলা বাৰি।"

কৃষ্ণই মাৰিলে লৰ।—

"মাধৱে আসন্ত জানি ডৰে।
দিলা লৰ নামি উড়লৰে॥
পাছে পাছে যশোদা খেদন্ত।
ভয়ে লাগ মাৱক নেদন্ত॥

যশোদাই কৃষ্ণক ধৰিবলৈ লৰি লৰি হাৰাশাস্তি হল, তথাপি ধৰিব নোৱাৰিলে। কৃপাময় কৃষ্ণই মাক ভাগৰি ঘোৰা দেখি শেহত আপোনা-আপুনি ধৰা দিলে।

"গোবিন্দে মাৱৰ শ্ৰম দেখি।
ৰহিলা কান্দতে মুদি আঁখি॥"

তাৰ পিছত যশোদাই ভাবিলে তেওঁ কৃষ্ণক এনে দুষ্টালিৰ বাবে শাস্তি দিব।

"দেখি বাৰি এৰিলন্ত সতী।
কৃষ্ণক বান্ধিবে ভৈল মতি॥"

গল বান্ধিবলৈ কৃষ্ণক তেওঁ এটা উৰালেৰে সৈতে। জৰীৰে বান্ধিবলৈ গৈ দেখে, যে বান্ধোতে জৰী শেহত দুআঙুল কম হয়, বান্ধিবলৈ নাটে।

যশোদাই—

"আৰু জৰী আনি জোৰা দিল।
সিয়ো দুই আঙ্গুল নাটিল॥
হেন দেখি আৰু জৰী আনি।
যশোদা বান্ধন্ত টানি টানি॥
শৰীৰৰ বল দিয়া আঁটে।
তথাপি আঙ্গুল দুই নাটে॥
গৃহত পাইলেক যত জৰী।
এহি মতে জুৰিয়া সুন্দৰী॥
উড়ুখলে এৰে বান্ধে চাপি।
নাটে দুই আঙ্গুল তথাপি॥
হেন দেখি হাসে গোপীগণে।
যশোদা বিস্ময় ভৈল মনে॥
শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিল শ্ৰমে ৰহি॥"

তাৰ পিছত—

"হেন দেখি প্ৰভু নাৰায়ণ
স্নেহে লৈলা আপুনি বন্ধন॥"

এইতো ব্যাপাৰ! যেতিয়ালৈকে যশোদা আয়ে ভাবিছিল, যে কৃষ্ণ তেওঁৰ পো, অৰু কৃষ্ণক তেওঁ বান্ধিব। তেতিয়ালৈকে দু আঙ্গুল জৰী কম হৈছিল, তেওঁ বান্ধিব নোৱাৰিছিল; যেতিয়া এই দুটা অহঙ্কাৰ তেওঁৰ গল, ভক্তবৎসল কৃষ্ণই আপোনাআপুনি ভক্তৰ হাতত বান্ধোন খালে।

বৃন্দাবনৰ গোপী সকলেও যেতিয়া দেখিলে কৃষ্ণই তেওঁলোকক সমাদৰ কৰি ৰাসমণ্ডললৈ আনিলে, তেওঁলোকৰ অহঙ্কাৰ হল—তেওঁলোকে ভাবিলে কৃষ্ণ ভগৱন্ত তেওঁলোকৰ বশ হল, ফলত কৃষ্ণ থিতাতে অদৃশ্য হল। এজনা মুখ্য গোপীয়ে (যাক বঙ্গদেশীয় বৈষ্ণৱ সকলে ৰাধা বুলি থিৰ কৰিছে) বেছি আদৰ পাই, বাটত যাওঁতে, ভৰি বিষাইছে বুলি কৃষ্ণৰ কান্ধতে উঠিবলৈ গৈছিল, তেৱোঁ কচুপালি পালে। কৃষ্ণই কান্ধ পাতি দি উঠা বুলি তেওঁক কলত, তেওঁ উঠিবলৈ যাওঁতেই কৃষ্ণ অন্তৰ্দ্ধান হল। আচলতে ভক্তৰ মনত এক লেশ মানো অহং ভাব থাকিলে তেওঁ ঈশ্বৰক পাব নোৱাৰে, যেতিয়া গোপী সকলৰ মন একেবাৰেই নিৰ্ম্মল হল, আৰু তেওঁলোকে সম্পূৰ্ণৰূপে কৃষ্ণ-প্ৰাণা আৰু কৃষ্ণ-নিৰ্ভৰশীলা হল তেতিয়া ভগৱন্ত স্বভাৱতে, তেওঁলোকৰ বশ্য হল। দশম স্কন্ধ ভগৱতত শ্ৰীকৃষ্ণই উদ্ধৱক ইয়াকে কৈছে—

"তা মন্মনস্কা মৎপ্ৰাণা মদৰ্থে ত্যক্ত দেহিকাঃ।
যে ত্যক্ত লোকধৰ্ম্মাশ্চ মদৰ্থে তান্ বিভৰ্ম্ম্যহম্॥
ময়ি তাঃ প্ৰেয়সাং প্ৰেষ্ঠে দূৰস্থে গোকুলস্ত্ৰিয়ঃ।
স্মৰন্ত্যোঽঙ্গং বিমুহ্যন্তি বিৰহোৎকণ্ঠ বিহ্বলাঃ॥

প্ৰধাৰয়ন্তি কৃত্ৰেণ প্ৰায়ঃ প্ৰাণান্ কথঞ্চন।
প্ৰত্যাগমনসন্দেশৈৰ্ব্বল্লভ্যো মে মদাত্মিকাঃ॥"

অৰ্থাৎ :—হে উদ্ধৱ! গোপী সকলে মোতেই মন সমৰ্পণ কৰিছে, ময়ে তেওঁলোকৰ প্ৰাণ, মোৰ নিমিত্তে তেওঁলোকে নিজ নিজ দৈহিক ব্যৱহাৰাদিও ত্যাগ কৰিছে। যি মোৰ নিমিত্তে লৌকিক ব্যৱহাৰ, ধৰ্ম্মৰ বিধি আৰু নিষেধ তুচ্ছ কৰিছে, তেওঁক ময়েই ৰক্ষা কৰোঁ। গোপী সকলে মোক প্ৰিয়তকৈয়ো প্ৰিয় বুলি জানে। মই দূৰত থাকিলে তেওঁলোকে মোক স্মৰণ কৰি নিদাৰুণ বিৰহ-ব্যথাত ব্যকুল হৈ আত্মবিস্মৃত হয়। মোৰ অবিহনত তেওঁলোকে অতি ক্লেশেৰে প্ৰাণধাৰণ কৰে। বৃন্দাবনলৈ মই আকৌ যে যাম এই শুভ সংবাদতেই তেওঁলোক জীয়াই আছে। ময়েই গোপিকাসকলৰ আত্মা, আৰু তেওঁলোক মোৰেই।

কিশোৰী

—ছনেট্ —শ্ৰীযুত সুৰেন্দ্ৰনাথ বৰৱা বি-এ

আধা মেলা আধা হঁহা গোলাপ সুন্দৰী,
জগতৰ মধুৰিমা শৰীৰত সানি,
হই তুমি সৌন্দৰ্য্যৰ মনোমোহা বাণী
মৰতত বিৰাজিছা, হে মোৰ কিশোৰী।

চন্দ্ৰৰ জেউতি ভাহে তোমাৰ ৰূপত
চুলিত বাগৰে ক্ষুদ্ৰ ঢ'উ লুইতৰ,
দেহত বিয়পে দীপ্তি-ৰেখা সৰগৰ
দেৱবালা আবিৰ্ভূতা তুমি মৰতত।

সৰলা প্ৰকৃতি তুমি, ৰক্তিম লাজত,
বাক্যৰ লহৰি কঁপে ওঠত তোমাৰ,
কওঁ-নে নকওঁ কই কোৱাঁ কথাষাৰ
ভুলোৱাঁ ভুবন তুমি স্বৰ্গীয় ৰূপত!

আগত তোমাৰ আজি ফুটন্ত যৌৱন,
উঠিছে প্ৰাণত মোৰ সহস্ৰ স্পন্দন!

বৈজ্ঞানিক জগত

পুনৰ্জ্জীৱন

বৈজ্ঞানিক সকলৰ আকাঙ্ক্ষা অসীম, মৰণৰ হাত সাৰিবৰ চেষ্টাও তেওঁলোকে নকৰি থকা নাই। নানা বৈজ্ঞানিকে নানা এক্সপেৰিমেণ্টৰে মৃত শৰীৰত পুনৰ্জ্জীৱন



ডাঃ ৰবাৰ্ট ই কৰ্ণিছে তিনি মিনিট আগেয়ে মৰা কুকুৰ এটিৰ কৃত্ৰিম উপায়ে উশাহ-নিশাহ আনি প্ৰাণসঞ্চাৰৰ চেষ্টা কৰিছে।

আনিবলৈ সদায় চেষ্টা কৰিছে, নানা কৃত্ৰিম উপায় উলিয়াইছে। মৃত্যুক জয় কৰিব পৰা উপায় উদ্ভাৱনত সম্পূৰ্ণ সফলতা লাভ কৰিব নোৱাৰিলেও তেওঁলোকে এই চেষ্টা এৰি দিয়া নাই। অলপতে কেলিফৰ্নিয়াৰ বিখ্যাত বেজ ডাঃ ৰবাৰ্ট ই কৰ্ণিছে এটি তিনি মিনিট কাল আগেয়ে মৰা কুকুৰৰ আকৌ কৃত্ৰিম উপায়ে উশাহ-নিশাহ আনিবৰ চেষ্টা কৰি ক্ষণিকৰ কাৰণে সেই মৃত দেহত প্ৰাণ সঞ্চাৰ হৈ আকৌ জড়তা দেখা দিলে। এইবোৰ আশাৰ ক্ষীণ বিজুলী চমকনিয় বৈজ্ঞানিক সকলৰ ভবিষ্যত সফলতাৰ সপোন।

পক্ষাঘাত ৰোগীৰ বাবে নতুন আবিষ্কাৰ

লৰচৰ কৰিবৰ সকলো শক্তি লোপ পোৱা নিঃসহায় পক্ষাঘাত ৰোগীৰ বাবে এক ৰকম নতুন উপায় বৈজ্ঞানিক সকলে উলিয়াইছে। এই যন্ত্ৰটিৰ নাম "ইলেক্‌ট্ৰিক আই" আৰু ইয়াক ৰোগীৰ মুখৰ আগত ৰখা হয়। তাৰপৰা এটি আলোক গৈ ৰোগীৰ মূৰত পৰে আৰু সামান্য লৰচৰ কৰিলেই এই পোহৰৰ গতিত বাধা পৰি এটি 'ইলেকট্ৰিক চাৰ্কিট' ভাঙি পেলায় আৰু তাৰ লগে লগে ৰোগীয়ে পঢ়া পুথি আদিৰ পাত আপোনা আপুনি লুটিয়াই পৰে, খিৰিকী জপাই নাইবা মেলি লব পাৰি, ৰেডিও চলাব বা বন্ধ কৰিব পাৰি আৰু সহায়ৰ বাবে নানা ইঙ্গিত আৰু জাননী দিব পাৰি। ৰোগী তেনেই লৰচৰ কৰিব নোৱাৰা



পক্ষাঘাত ৰোগীৰ বাবে আবিষ্কাৰ কৰা যন্ত্ৰ এটিৰ 'এক্সপেৰিমেণ্ট' কৰা হৈছে।

হলে সামান্য মুখৰ শব্দ নাই উশাহ নিশাহেৰেই এই কাম চলাব পাৰি।

বতৰৰ আগ জাননী দিয়া যন্ত্ৰ

আমেৰিকাৰ বিখ্যাত বৈজ্ঞানিক ডাঃ চি জি এবটে এটি নতুন যন্ত্ৰ উলিয়াইছে। এই যন্ত্ৰটিৰে সূৰ্য্যৰ তাপৰ লক্ষণ আৰু গুণাগুণ আগদৰি পৰীক্ষা আৰু বিশ্লেষণ



ডাঃ চি, জি এবট আৰু তেওঁৰ আবিষ্কৃত ভবিষ্যৎ বতৰৰ আগজাননী দিয়া যন্ত্ৰ।

কৰি ভবিষ্যতে কি ধৰণৰ বতৰ হব বহু আগেয়ে তাক নিৰ্ণয় কৰিব পাৰি। তেওঁ তেওঁৰ ব্ৰাণ্টিচনৰ অফিচত এই যন্ত্ৰটিৰ কাৰ্য্যকাৰিতা পৰীক্ষা কৰা ছবিত দেখিবলৈ পোৱা গৈছে।

উৰাজাহাজ পৰীক্ষা

উৰাজাহাজ. বিশেষকৈ তাৰ ইঞ্জিনটো উৰিবলৈ ব্যৱহাৰ কৰাৰ আগতে ভাল ভাবে পৰীক্ষা কৰি চোৱা হয়। সকলো দেশৰ উৰাজাহাজবোৰ চলোৱাৰ পূৰ্ব্বেই সেই দেশৰ গৱৰ্ণমেণ্ট বিভাগৰ বিশেষজ্ঞ সকলৰ দ্বাৰা পৰীক্ষা কৰাই চাৰ্টিফিকেট লৰ লাগে তাৰ পিছতহে উৰিবলৈ দিয়া হয়। ব্ৰাণ্টিচনৰ 'বুবো অৱ ষ্টেণ্ডার্ড'ৰ



উৰাজাহাজৰ ইঞ্জিন পৰীক্ষা কৰা বৈজ্ঞানিকাগাৰৰ এটি দৃশ্য

এজন বৈজ্ঞানিকে তাৰ পৰীক্ষা গাৰত নতুন উপায়ে উৰা জাহাজ পৰীক্ষা কৰিবলৈ দেখা গৈছে।

ওপৰঞ্চি লাভ

গল্প—

—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা

"হেৰা এইটো ঘাটে পাৰ হ'ব পাৰিম নে?

"হয়, পাৰিব। এই মুখতে হে অলপ দ নিফালে ঠেলেই যাব!" ছোৱালীজনীয়ে উত্তৰ দিলে। মই হাতীৰ ওপৰত।

মাজুলীৰ টুনি নৈ! টুনি নৈখন যদিও সৰু, গড়া কিন্তু বিষ! মই এইখন নৈ আগেয়ে পাৰ হোৱা নাই। এয়ে প্ৰথম। তাত শুনিবলৈ পালোঁ, আহোমসকল অসমলৈ অহাৰ আগতে ব্ৰহ্মপুত্ৰখন উত্তৰ পাৰে বৈছিল। মাজে মাজে দিহিং নৈখন গৈছিল। দক্ষিণ পাৰে বহুতো অকাই-বকাই দিখৌ নৈ খন বৈছিল। এই বাবেই বোধকৰো, বুৰঞ্জীত আহোম সকলক জয়ে জয়ে দিহিঙ নৈয়ে ভটিয়াই আহি দিখৌ নৈয়েদি উজাই চবাইদেওলৈকে ঘোৱা পাওঁ। পিছত, কোনোবা এসময়ত প্ৰাকৃতিক বিপৰ্য্যয়ত ব্ৰহ্মপুত্ৰই দক্ষিণ পাৰে আহি, দিহিং দিখৌক ছিণ্ডি পেলাই ডুকালে দু-সোতা বৈ গৈ, বৰ্ত্তমানৰ মাজুলিক গঠন কৰিলে। মানুহে কয় এই নৈখন দিখৌ নৈৰে এছোৱা। ব্ৰহ্মপুত্ৰই মাজেদি ছিণ্ডি যোৱাৰ পিছত, ই এতিয়া মাজুলিত টুনি নৈ নামে অভিহিত!

হাতীটোত মই আৰু মাউত! মাউতৰ হাতত মোৰ বন্দুকটো আছিল। নৈলৈ নামোতে মই দুহাতে গদি খনত খামুচি ধৰিছিলোঁ। নৈৰ মেতিয়া আমি সোমাজ পাওঁহি,—ছোৱালী জনীয়ে তলমুৰকৈ চাউল ধোৱা এবি, দিয় হৈ একে পৰে আমাৰ ফালে চাবলৈ ধৰিলে—বোধ কৰোঁ, মই কেনেবাকৈ পৰিম বুলি গদিখনত খামুচি ধৰা দেখি। তাই চাগে ভাবিছিল,—ডেকা মানুহটো হৈ ইমানটো ভয় কৰোঁ কিয়?

ছোৱালীজনী সঁচাকৈয়ে "বগী ধেকেৰি"। তাইৰ শৰীৰত কোনোবাই যেন সবিয়হৰ ফুলৰ বঙ সানি থৈছে। তাইৰ মুখৰ চেহেৰাই কৈছিল—তাই যেন মদনৰ পঞ্চশৰত জৰ্জ্জৰিত। তাই মেতিয়া নৈৰ মুৰলিত তলমুকৈ চাউল ধুই থাকে,—আগফালে নৈৰ পানীত তাইৰ মুগাৰ মেখেলাখন তিতে বুলি ওভোতাই মেখেলাৰ পাতলিটো নাইৰ ওৰিত থোছনি মাৰি বৈছিল। তাই পোন হৈ আমালৈ চাই পঠিয়াওতে দেহি তাই পাহৰিলে, মেখেলাৰ পাতলিটো ওভোতাই থোছ মৰা আছে বুলি। সবিয়হৰ ফুল যেন আঠুৰ ওপৰৰ বৰণেও সাক্ষী দিলে, অকল সবিয়াকৈ পাই মদনে তাইক ইচ্ছামতে সজাই পৰাই লবলৈ উপক্ৰম কৰিছে। নৈ সোতা পাৰ হৈ ইটো গড়াত উঠো উঠো হলোহি, তাই তেতিয়াও আমালৈকে একেথাকে চাই আছে।

—এনেতে, নৈ খনৰ উজনিৰ মোচৰত, কোনোবাই গোৱা বন গীত এফাকি কাণত পৰিলহি ;—

—"আহোতে দেখো বন, যাওতে দেখো বন
বনী জামুকৰ পুলি ;
খোৱাবো নহলি পিন্ধাবো নহলি,
চকুৰ ঐ গোবিন্দ—হলি।"

তেতিয়া আমাৰ হাতীটো গড়াৰ ওপৰত উঠিছেহি। গীতটো গাই গাই টুলুঙা নাও এখনত, গলদনত খোপাটো পেলাই কিচ কিচ কৈ ক'লা বৰণৰ ডেকা ল'ৰা এটাক ভটিয়াই অহা দেখিলোঁ।

* * ছোৱালী জনীয়ে ডেকাটোৰ ফালে এবাৰ কেবাহিকৈ চাই আকৌ তলমুকৈ চাউল ধুবলৈ ধৰিলে। লাহে লাহে আমি নৈৰ পাৰৰ পৰা আঁতৰি আহিলোঁ।

২

—মই গৈছিলো, মাজুলিলৈ মাহ সবিয়হ আলুৰ কাৰবাৰ কৰিবলৈ বুদ্ধি বিচাৰি। মনৰ ভিতৰত লৈছিলো, দুটা ভাব। প্ৰথমটো, ভাবিছিলো, বিদেশী দোকানীয়ে হৰেক ৰকমৰ বুদ্ধিৰে অজলা মাজুলিয়ালক ঠগি দুটকাৰ বস্তুটো চাৰি অনাতে লৈ, টকাত টকা লাভ কৰি, দেশত পকীঘৰ তোলে, অথচ, আচল খেতিয়ক মাজুলিয়ালে বিনিগাৰ মূচা উঘলাৰ গাৰ বিষ মাৰিবলৈকে যোগ্য আহাৰ নাপায়। পাৰিলে, ইয়াৰ এটা উপায়ও কৰি, মাজুলিয়ালক পৰিশ্ৰমৰ যোগ্য পুৰস্কাৰ দিবলৈ চাব লাগে।

দ্বিতীয়তঃ—এনে টান দিনত, সক সুবা চাকৰি কৰি, আধা পেটে খাই, লোকৰ আগত ভাল মানুহ বোলাই দুকুৰিতে, চাৰি কুৰি বয়সৰ বুঢ়া হোৱাতকৈ, সক সুবাকৈ কাৰবাৰ এটা কৰি মুকলি মনেৰে দুজাস পেট ভৰাই খাবলৈ যত্ন কৰি চোৱা। কলেজৰ পৰা ওলাই অহাৰে পৰা কেইবা মাহো, এই দুয়োটা কথাকে ভাবি ভাবি কটালোঁ।—লাহে লাহে মৰৰ কেঁৰে মোক দেখিব নোৱাৰা হ'লহি। আই আক পিতাইৰ বৰ ইচ্ছা,—মই কছাৰী ঘৰত আমোলা হ'ম লাগে। তেওঁবিলাকে দেহি নাজানে, আজি কালি চাকৰি পোৱা কিমান টান! আগৰ দিনত মহাৰাণীৰ চৰকাৰে হাকিম হবলৈ মাতি নিয়া বি-এ পাছ সকলেও যে এতিয়া কাছাৰীত কুৰি টকীয়া এপ্ৰেণ্টিছ কৰিবলৈ "বেভিনিউ চিৰস্তাদাৰৰ" ঘৰৰ পদুলিৰ বন মাৰিছে! মই কলেজত এবছৰ কে আছিলোগৈ। "বি-এ"ৰ নাম লোৱা দুৰৰ কথাই, "আই-এ"ৰ ওচৰকে নেপালোঁগৈ। এনেস্থলত, আমাৰ আগত পথালি দি পৰা ভব্য—গব্য "বি-এ" সকলক আঁতৰাই ঠেলি আমিনো চাকৰি পাব পাৰো নে? আইৰ আক পিতাইৰ কথা নকৰোঁই, গাৰৰ মানুহবিলাকেও মোক কাহানি কামলৈ যাম,—তাকেহে ঘুৰি ঘুৰি সোধেহি। দেহি, এই মানুহ বিলাকে ভাবিছে, মই ইমান পঢ়া মানুহটোৰে ওলাই গ'লেই ভদ্ৰলোক হৈ, ঘৰৰ আক গাৰৰ মুখ উজলাম! আজিও, অসমীয়া মানুহ ইমান অজলা; এনে স্থলত,বিদেশীয়ে মুখৰ ভাত কাঢ়ি নিয়াটো—এক্কো আচৰিত কথা নহয়।

* * * সেইদিনা আইক ক'লো,—কপ এশ দিয়া, বছৰৰ মুৰত, কাম কৰি হয়, কাৰবাৰ কৰি হয়, তোমাক পাচশ দিমহি! মই ঘৰত থাকি থাকি, আমনি পাইছোঁ। কপ এশ পালেই ওলাই যাব পাৰো।"

মোৰ কথাত আইৰ চিন্তান্বিত মুখ যেন হৰষিত হ'ল। তেওঁ ভাবিলে, ইমান দিনৰ মুৰত ঈশ্বৰে মোক শুভমতি দিছে।—তেওঁ পিছদিনা ৰাতিপুৱাই মোক ভাতপানী খুৱাই, টিপতে কপ এশ দি মোক ক'লে, "মোৰ মুৰৰ চুলিৰ মান তোৰ আয়ুস হওক। যা, বোপাই, জীৱনত ডাঙৰ আমোলা হ'গে। পিতাৰে তেওঁ মনতে ভাল পাব। তই আমাক টকা সিকা দিব নেলাগে; তৰে দহৰ আগত মুখ জিলিকাই থা-গৈ! ঈশ্বৰে আমাক যি দিছে, সেয়ে হ'ব!"

মই কপ শ হাতত লৈ ভাবিলো ;—"আইৰ শুভ ইচ্ছা, তাহানি বঙালৰ বগৰে অসমীয়া আই সকলেও পুতেকহঁতক এনেকৈয়ে হিয়া উবুৰাই আশীৰ্ব্বাদ দি উলিয়াই পঠিয়াইছিল! তাহানি জানিবা স্বাধীন সিংহাসন বক্ষা কৰিবলৈ, আজি জানিবা পেটৰ ভাত মোকোলাবলৈ—"

কাতি মাহ! কপ শ ককালত বান্ধি লৈ, ৰঙ্গপুৰ পাব হৈ মাজুলি সোমালোঁ।

কমলাবাৰী দক্ষিণ পাট, গড়মুৰ, আউনিআটি আদি ঠাইৰ বহুতো মানুহৰ লগত দেখা শুনা কৰি, মোৰ মনৰ ভাৰ প্ৰকাশ কৰি,—মাহ-সবিয়হৰ কাৰবাৰ কৰা কথা ক'লো।—অসমীয়া মানুহৰ কথা!— কাক দোষ দিম! আমি ইমান বিজতবীয়া হ'লো যে নিজে কোৱা কথাকেই নিজেই কৈছিলো বুলি পিছ মুহূৰ্ত্তত নিজেৰেই বিশ্বাস নহয়! জয়ে-জয়ে মানুহ বিলাকে মোৰ উদ্দেশ্যটোক সমৰ্থন কৰি—বহুতো উৎসাহ দি আগ বাঢ়ি আহিল। মনতে ভাবিলো, মোৰ কাৰ্য্য সিদ্ধি হ'ব! কেৱল, অতদিনে. আমাৰ উদ্যোগী মানুহ কোনো মাজুলিলৈ নহাত হে এনে লাভবান কাৰবাৰ এটাৰ লাজে মূলে বিদেশীয়ে খাবলৈ পাইছে! * * * কেই দিন

মানৰ মুৰত, টুনি নৈৰ ওচৰত তিনি খন মান গাৱৰ জনহিয়ক গণ্য-মান্য মানুহক গোটাই ক'লো ;—আমাৰ ভিতৰত কাগজ এখন কৰো আহক ; তাত বান্ধি লওঁ আমাৰ মাহ-সবিয়হ বিদেশী দোকানিক কেতিয়াও নিদিও। আটাই খিনি গোটাই লৈ, আমি নিজেই কলিকতাৰ বজাৰত বেচিম ;—যি লাভ হ'ব মূল দিও তাৰ ভাগ খেতিয়ক সকলকো ভাগ কৰি দিম!—অতি আচৰিত কথা, মোৰ কাগজ কৰাৰ কথাটো শুনিয়েই, মানুহবিলাক টাং গুটি ওফৰাৰ দৰে মোৰ ওচৰৰ পৰা উফৰি উফৰি যাবলৈ ধৰিলে। মোক দেখিলে নিলগতে ভাগি যোৱা হ'ল! আচৰিত হৈ, দুজন মানক ঘৰত গৈ সুধিলো কিয় এনে হৈছে! মোক বিশ্বাস কৰিবলৈ টান পাইছেনে কি?—ঘৰকৈ টানি টানি সোধাত, দুজন মানে উত্তৰ দিলে ;—"আমি দোকানীক মাহ-সবিয়হ দিনি, নিজৰ ঘৰিত নিজে কুঠাৰ মাৰিব নোৱাবো।—হয়, আপোনাক মাহ-সবিয়হ দিলে, দুটকা আজি বেছি পাম! কিন্তু বাৰেও মাহে, আপুনি আমাক সহায় কৰিবলৈ নাহে।—গোটেই বছৰটোৱে যেতিয়াই যি লাগে দোকানীৰ পৰা আমি গইছাটোৰ পৰা টকাটোলৈকে টানি থাকো। কেৱল, আমাৰ বন্ধবস্ত মতে মাহ-সবিয়হখিনি দোকানীক দিব লাগে। তাৰ বাবেতো দোকানীয়ে মূল্য দিবই,—আজি হয়তো আপুনি কুৰি চেৰেক দি যাব, কাইলৈকে হাতত পইছা পবিলেই খবচ হ'ব! পবহিলৈ গৰুটো খানাত পৰিলে, দোকানীক পইছা চাৰি-আনা খুজিলে কেলেই দিব! গতিকে আমাৰ সাত পুৰুষ যেনেকৈ মবিছে, আমিও সেই দৰেই মবিম! নতুন বুদ্ধিৰে আমি আক চহকী হ'বৰ মন নাই কোনোমতে, দুবেলা-দুমুঠি খাবলৈ পালেই হ'ল—!"

* * * কি অধঃপতন! ভাবিবলৈ ধৰিলোঁ, এনে জাতি আমি, তেন্তে আমাৰ কল্যাণ ক'ত! শুনিবলৈ পালো: দোকানীহঁতে, গিৰিহঁতে মাহ-সবিয়হ ভিতৰ দুদুৱাবলৈ নৌ পাওঁতেই, চোতালতে টকাত মাৰি ৰ-ইকাই জুখি লয়হি। আক হেনো আগ ধন দি খোৱাৰ বাবে, দোণে পতি একাজলিকৈ ফাণ লয়! গিৰিহঁতৰ তাত মুখৰ মাত দিবৰ অধিকাৰ নাই!

* * * মই বিমোৰ হ'লো! আকৌ গাৱৰ মানুহ বিলাকক বুজাই এবাৰ চেষ্টা কৰো বুলি টুনি নৈৰ কাষত থকাত আমাৰ সত্রলৈকে আজি আহিছোঁ। কিজানি আমাৰ খোৱাইৰ হতুৱাই মানুহবিলাকক মোৰ উদ্দেশ্যটো বুজাই দিয়াব পাৰিলে, কিছুদূৰ কৃতকার্য্য হওঁয়েই।

৩

পিছদিনা দুপৰীয়া গোঁসাইৰ চ'ৰাত মোৰ এই কেই দিনৰ অভিজ্ঞতাৰ সকলো কথা গোঁসাইক জনাই কি বুদ্ধিৰে নো, কাৰ্য্যত হাত দিব পৰা হব,—তাৰে আলোচনা কৰিছোঁ ; এনেতে এজন পাছলিয়ে বহুতো বুঢ়া-বুঢ়ী, ডেকা-গাভৰু মানুহ আনি গোঁসাইক ভেটালেহি। মানুহ বিলাক সোমাই অহাত আমাৰ আলোচনা তাতে স্থগিত ৰ'ল।

* * * এদেৰীয়া হৈ, মানুহবিলাকৰ কথালৈ কাণ দিলো; কিজানি এই মানুহবিলাকক গোঁসাইৰ আগতে মোৰ উদ্দেশ্য কৈ, কামত আগ বাঢ়িব পাৰোঁ!!

* * * গোঁসাইৰ চ'ৰাত,—ভালেখিনি কথা হোৱাৰ পিছত,—গাঙ্কচ ছোৱালী এজনীক গোঁসাইৰ চৰালৈ অনা হ'ল! ছোৱালীজনী দেখা মাত্ৰকে চিনিলো। সেই জনীকেই মই কালি ঘাটত চাউল দুই থকা পাইছিলোঁ। তাইকেই নৈত পানী কিমান দ বুলিও সুধিছিলো। তাই বোধ কৰো মোক চিনিব পৰা নাই!—ছোৱালী জনীৰ লগে-লগেই, আদহীয়া বুঢ়ী এজনীয়ে কান্দি কান্দি গোঁসাইক ক'বলৈ ধৰিলে ; "প্ৰভু, এনে কথা দেখাও নাই, শুনাও নাই! আমি বুঢ়ী হ'লোহি। প্ৰভু, ইয়াকেই কয়,—'হোলোঙাৰে কাণ বিন্ধোৱা!' ঔ আই, ক'ত দেখিছা, ক'ত শুনিছা,—তাই মাইকী ছোৱালী জনী হৈ ডেকা ল'ৰাটোক চৰ মৰা! ইংবাজৰ দিন হ'ল! নহলে তাইৰ যোগ্য শাস্তি নাক-চুলি কাটি হাবিত মেলাহেঁ!—তাইৰ বাপেকে এতিয়া, মোৰ ল'ৰাটোক উদ্ধাৰনি পবাচিত হবলৈ এশ টকা দিয়ক! ঔ আই, এনেজনী, ছোৱালী! দেখিবলৈ

হে শাস্ত মতা ল'বাটৈল হাত দাঙে,—এনে দাংকাছী ছোৱালী, ক'ত দেখিছা,—শুনিছা !"

* * * গোসাইৰ আদেশত চৰ খোৱা ডেকাটোক আগলৈ অনা হ'ল। ডেকাটোক তেতিয়া মই চিনিব পৰা নাছিলোঁ।

গোঁসায়ে সুধিলে ,—"হয় নে, মালতী, তুমি, ইয়াক— মহাৰামক চৰ মৰা সঁচা নে ?"

ছোৱালীজনীয়ে নিৰ্ভীকভাবে উত্তৰ দিলে ;—"প্ৰভু ঈশ্বৰ, সচা ! মই আমাৰ ঘাটত কালি দুপৰীয়া চাউল ধুই আছিলোঁ ;—ই মহাৰামে ক'বৰাত পৰা নাও খনত মোৰ আগতে ওলালহি। সোধ-পোছ নাই, সি দেখোন থাপ মাৰি মোৰ বিহাৰ আছলটোতে ধৰিলেহি। এৰি দিবলৈ কোৱাত আকৌ মোক কিবাকিবিবোৰ কৈ ওচৰ চাপিছে আহে আছে ; তেতিয়া তাৰ গাঁতে চৰ এটা মাৰি ঠেলা মাৰি দিয়াটো সঁচা ! এনেতে, ন-বৌহঁত ঘাটলৈ অহা দেখি, সি লৰ মাৰি পলাব খুজিছিল। মইহে চিঞৰি, তাক চৰ মৰাটো ন-বৌহঁতক কৈ দিলো ! প্ৰভু, দাসীৰ এয়ে দোষ !"

গোঁসায়ে মোৰ চকুলৈ চালে ! মোৰ তেতিয়াহে মনত পৰিল, হাতীৰে কালি নৈ পাৰ হওঁতে, বনগীত গাই গাই, টুলুঙা নাৱত অহা ডেকা এইটোৱেই !

* * * * বাইজৰ চুটি দল, এটি দল, ডেকাটোৰ ফলীয়া,—সিহতে কয়,—পুৰুষ জাতি ভোমোৱা। তাইক জানিবা সি জোকাইছিলেই সেই বুলি তাই মাইকী ছোৱালী জনীয়ে তাক মটা ল'বাটোক চৰ মৰাটো উচিত নহয় ! ইটো দল, ছোৱালীজনীৰ ফলীয়া। সিহঁতে কয়,—ভাল হ'ল ! যেনে কুকুৰ তেনে টাঙোন ! সি কোছৰ ল'বাটোৱে কলিতা ছোৱালীজনীলৈ এই দৰে হনিয়াব পায় নে ?

—ক'ব নোৱাৰোঁ, কিয় ? কোনেও নোসোধাকৈয়ে মই কৈ পেলালো ;—"সি জাতিয়েই নহওক ; লম্পটব উচিত দণ্ড হৈছে।"

মোৰ ফালে গোটেই বাইজগনে চকু দিলে। ছোৱালী জনীয়েও মোলৈ সককণ চকুবে চাই পঠিয়ালে !

গোঁসায়ে মোক সুধিলে ;—"শইকীয়া গোটেই ঘটনাটো তুমিও শুনিলা। এই ঘটনাটোত এতিয়া কি বুলি বাৰ দিয়া উচিত !"

মই উৎফুল্ল মনেবে ক'বলৈ ধৰিলো ;—"প্ৰভু, বহুতো শিক্ষিতা ছোৱালীয়েও, এই আজলী ছোৱালীজনীৰ জোৰ ল'ব নোৱাৰিব ! প্ৰভুয়ে দয়া কবি, তাইব এনে সৎ সাহসব বাবে, প্ৰভুয়েই যোগাব কবি ভাল শিক্ষিত ডেকা এজনক ছোৱালীটোক সোধাব পাৰিলে, আমি আমাৰ মাতৃ জাতিক সম্মান কেনেকৈ কবিব লাগে এই ঠাইত তাব সৎ শিক্ষা হব' পাবে !—অবাবতে আজলী ছোৱালী জনীক জোকাই চৰ খোৱাব বাবে, এই ডেকাটোৱে ছোৱালীজনীব ভবিত ধবি ক্ষমা খোজা উচিত ! আন বিলাক উদ্ধত ডেকাইও যেন এটি শিক্ষা পায় !"

* * * * * মোৰ এই কথাখিনি কিয়, ক'ব নোৱাৰোঁ, সব সব কৈ ওলাই পৰিল ! মোৰ কথাত, গোঁসায়ে এটি মিচিকিয়া হাঁহি মাৰি আকৌ গহীন হৈ, বাইজক সম্বোধন কবি ক'লে ;—"এওঁ,— শইকীয়াই কোৱা কথাখেই মোৰো কথা !—"

বাস্তবিকতে, এনে দুষ্ট ল'ৰা সমাজত থাকিলে, সমাজব অমঙ্গল ! নিবীহ ছোৱালী ;—তাইব কামত তাই আছিল; তাক কিহে পাইছিল—তাইক জোকাই তাইব চৰ খাবলৈ। আপোনালোকে দেখা নাই নে উদ্ধত জাতিব ছোৱালী-বিলাকে কেনেকৈ সাগবব সিপাবব পৰা অকণৈ ইণাব পাইছেহি ; তথাপি, সিহঁতব আত্ম-মর্য্যাদাক সককোত্তে সম্মান কবে ! আমাব জাতিটো ইমান বিজতবীয়া যে, ছোৱালী এজনীয়ে এই অধম পশু বিলাকব কাবণে নিজব নঙলা—মুখলৈও আহিব নোৱাবে ! অথচ, আপোনালোক গোটেই বাইজখন আছিছে, এটা ল'ৰাক চবোৱাব বাবে, ছোৱালীজনীক দণ্ড দিবলৈ ! ইণ্ড এটা আমাব জাতিব কুলক্ষণ !—গোটেই কথাটো দ-কৈ ভাবি, মই ইমানকৈ ক'ব খোজো ;—আমাব ল'ৰাবিলাক যিমান তললৈ নামিছে আমাব ছোৱালীবিলাক এতিয়াও সিমান তললৈ নমা নাই। সেই বাবেহে, আজিও অসমীয়া

জাতিয়ে নিজক অসমীয়া বুলি ক'বলৈ সমর্থ হৈ আছে।

—এই ছোৱালীজনীক বাইজে তাইব সংসাহসব বাবে তাইক আশীৰ্ব্বাদ কবা উচিত ! (ছোৱালীজনীব পিতাকলৈ চাই)—"হাজবিকা ; আপুনি মনত দুখ নকবিব ! আপোনাব ঘবব ছোৱালী বুলিয়েই হে, তাই নিজব আক ঘবখনব সম্মান বক্ষা কবিব পাবিছিল। এইটো আপোনাব বংশব গৌবব হে। এওঁ শইকীয়া বোপাই কোৱাব দবেই, কও, এই ছোৱালী জনীব বিয়াব বাবে আপুনি একো যত্ন কবিব নেলাগে, ময়ে ভাল উপযুক্ত দবা এটি বিচাব কবি ছোৱালীজনীক পাত্রস্থ কবিম !"—(হাজবিকাই গোঁসাইক গদ-গদ-ভাবে সেৱা এটা কবিলে।)

ডেকাটোব ফালে মুখ কবি গোঁসায়ে ক'লে ;—"মাৰে বাপেবে তোক এটা অধম পশু হে ভ্ৰজিলে ! তোব দণ্ড, —হয় মালতীব ভবিত ধবি ক্ষমা খোজ, নহয় ত্ৰশ টকা জৰিমনা দণ্ড দিবিহি ! আজিব পৰা এসপ্তাহ সময় দিলো !— এতিয়া সকলোবে যাব পাবে !"

বাইজ বিলাকে গোসাইব পৰা বিদায় পাই, সেৱা কবি উঠি যাওঁতে, সেই ছোৱালীটিয়ে এবাব কেবাহিকৈ মোব ফালে আকৌ চাইছিল। সেই ধুনীয়া চকুজুবীয়ে যেন মোক কৈ গ'ল, তেওঁব যেন মই নিচেই আপোন।

৪

তেতিয়াব পৰা আজিলৈকে তিনি বছবত মোব মুবব ওপবেদি বহুতো বিপদ-ধুমুহা পাব হ'ল ! কোৱা বাহুল্য, গোসাইব অনুগ্রহতে ওচবব মিবি গাঁওঁ এখনে মোব লগত বন্দবস্ত কবিলে মিবিহতব বছবটোত যিমান খবচব আৱশ্যক সেই খিনি মই তাতে দোকান এখন খুলি পইছা আৰু মালেবে যোৱা মাবি দিব পাবিলে, তেওঁবিলাকব খেতিব সকলো সবিয়হ মোকেই দিব। প্ৰথম বছবটো বৰ কষ্টেবে মিবি গাৱঁত দোকান এখন দি থাকিলোঁ। সেই বছব, প্ৰায় এহেজাৰমান টকা সবিয়হ বেচি লাভ কবিছিলোঁ। তাবে দ্বিতীয় বছব আৱস্ত কবিলো। ঈশ্বৰব ইচ্ছা, মিবিবিলাক সঁচাকৈয়ে সবল চেতীয়া অৱশ্যে, ইও সঁচা সাধাবণতে মিবিবিলাকে অচিনাকী বা আঁতবব মানুহক নিজব সচা কথা কৈ বিশ্বাস কবিব নোখোজে। কিন্তু এবাব যদি কাবোবাব লগত বন্ধুত্ব কবে সেই বন্ধুত্ব অতি আপোনাবো আপোন হৈ পৰে। সেই এখন মিবিগাৱঁৰ মোব লগত কাববাব কবি আগতেকৈ চুগুণ লাভ পোৱা বুলি শুনি, আৰু সাত আঠ খন মিবি গাৱঁৰ নিজেই আগ বাঢ়ি আহি মোব লগত কাববাব আৱম্ভ কবিলেহি, * * * * দ্বিতীয় বছবত মোব কাববাব প্ৰায় আঠ দহ হেজাবত পবিণত হলহি। এইবাব তৃতীয় বছবত কলিকতাত ডাঙব কোম্পানি এটাব লগত বন্দবস্ত কবি, গোটেই মাজুলিবে সবিয়হ গোটাবলৈ যত্ন কবিছোঁ। ভবিষ্যত কি হয় কব নোৱাবো ; কিন্তু এই চুবছবব অভিজ্ঞতাই মোক যেন মনত বল দিছে, মোব উদ্ধেশ্যত মই এদিন সিদ্ধিলাভ কবিমেই।

* * * নতুন কার্য্যত বহুতো আগ বাঢ়িলোঁ। কাববাবব গতি এতিয়া ভাল দেখি মাজুলিব বহুতো ভাল গণ্য মান্য মানুহে মোক সহায় কবিবলৈ আগ বাঢ়িও আছিল। যদি বাইজখন সহায়ত হয়, তাত সচাকৈয়ে বিপদ নাই।— * * * * মই নভবা নিচিন্তাকৈয়ে বাইজব সহায়ত আশাতীত কপে লাভ পালো এইবাব আমি অর্থাৎ মই বাইজব লগত মিলি এখন "বোৰ্ড" গঠন কবিছো। এই "বোৰ্ড"খনে মাজুলিব মাহ সবিয়হ সকলো গোটাব আৰু তাব বিনিময়ে মাজুলিয়ালে কোনো দোকানীব ওচবলৈ নোযোৱাকৈ সকলো সুবিধা বোৰ্ডই পৰা পোৱাব সুবন্দোবস্ত কবা হৈছে। মই এতিয়া কলিকতাব কোম্পানিবিলাকব লগত লিখা লিখিত ব্যস্ত।

* * * দুপৰীয়া ভাত পানী খাই লুইতব বুকুত ওপজি থকা বব নাও খনব বুকুত দীঘল হৈ পবি জিবাইছো এনেতে দুজন মানুহে চিঠি এখন আনি মোক দিলেহি। মানুহ দুজনক বহিবলৈ দি চিঠিখন মেলি দেখিলো চিঠিখন আমাব গোঁসায়ে দিছে। তাত

লিখিছে আজি দুদিন আই আৰু পিতাই সত্বতে আছেহি। মই যেন চিঠি পোৱা মাত্ৰকতে সত্বলৈ যাওঁ। এয়ে গোসাইৰ ইচ্ছা।

* * * *
* * *

"তুমি বাৰু ভাবিছিলা নে? এনেদৰে হঠাতে মোৰ লগত তোমাৰ বিয়া হব!"—"ভবা নাছিলো; কিন্তু, কিয় কব নোৱাৰো মোৰ আজিও মনত পৰে প্ৰথমদিনা হাতীৰ ওপৰত টুনি নৈৰ পাৰত আপোনাক দেখিয়েই সেই দিনাই আপোনাক মোৰ বৰ আপোন আপোন যেন অনুভৱ হৈছিল!" লুইতৰ বালিৰ ঘৰত মালতীৰ লগত কথা পাতিছো; এনেতে বাহিৰৰ পৰা মোৰ বন্ধু চন্দ্ৰই হাঁহি হাঁহি সোমাই আহি কলে, "বৌদেও, আমি সঁচাকৈয়ে আগেয়েই গম পাইছিলো; আমাৰ এই জিতেন্দ্ৰ পুৰুষক বনৰ বিহগীৰ বাহিৰে আনে সতকাই ঢিপত লগাব নোৱাৰিব!—নহয় নে ভাই শইকীয়া?"

—মই মৰমৰ ভেকাহিৰে বন্ধুক কলো "তুমি যেনে হে মুৰ্খালি আৰম্ভ কৰিছা তোমাৰ চাহ-জলপান হেৰাব যেন হে দেখিছো!—বাৰু বহা বহা, তুমি সেই ন কৈ বচনা কৰা গীতটোকে গোৱা! তেহে যদি ভাল চাহ এবাটি পোৱাৰ সম্ভৱ।"

বন্ধুৱে বেহেলাখন দাঢ়ি লৈ হাঁহি হাঁহি গীতটি আৰম্ভ কৰিলে।

* * * * *

কোৱা বাহুল্য যোৱা ফাগুনত আমাৰ গোসাইৰ ইচ্ছাতেই আই আৰু পিতায়ে সত্বলৈ আহি মালতীৰ লগত মোৰ বিয়াখন পাতি থৈ গলহি।

বাহী বিয়াৰ দিনা কটাৰী তামোলৰ চুপতিখন বন্ধুৱে এনেভাৱে সমাধা কৰিছিল, যে ন-কন্যা মালতীয়ে বন্ধুক আজিও দুষ্ট বুলি হে সম্বোধন কৰে।

কোনে জানিছিল, সৰিয়হৰ কাৰণাৰত সৰিয়হ ফুলো লাভ হব বুলি। মোৰ প্ৰিয় বন্ধু চন্দ্ৰ হেনো মোৰ সৌভাগ্যত শত ধন্য! বন্ধুৰ লগতে মঘো নে, বাৰু?



ধম্মপদ

—শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰু

পণ্ডিত বগ্‌গো

(ছটঠো) ৬৮।

৭৬। গুপ্তধন দেখুৱাওঁতাৰ দৰে যিজনে বজ্জনীয় বিষয় দেখুৱায়, যিজনে দোষ দেখিলে তিৰস্কাৰ কৰে, যিজন মেধাৱী, এনে পণ্ডিতক অনুসৰণ কৰিব লাগে। তেনেলোকক অনুসৰণ কৰিলে অমঙ্গল নহয়, মঙ্গলহে হয়।

৭৭। পণ্ডিতে তিৰস্কাৰ কৰিব, শাসন কৰিব, অন্যায় কামৰ পৰা ঘুৰাব। এনে লোক নিশ্চয় সৎলোকৰ প্ৰিয় আৰু অসৎৰ অপ্ৰিয় হব।

৭৮। পাপী মিত্ৰক ভজনা নকৰিবা, পুণ্যধৰ্মক ভজনা নকৰিবা। কল্যাণ মিত্ৰক ভজনা কৰিব লাগে, পুণ্যোত্তমক ভজনা কৰিব লাগে।

৭৯। ধাৰ্ম্মিকে সুখে সন্তোষে বাস কৰে। জনালোকে আৰ্য্য সকলে দেখুৱা ধৰ্ম্মমতে চলে।

৮০। মাটিখনা মানুহে বিপিনে ইচ্ছা পানী বোৱাব পাৰে, শৰ সাজোঁতা লোকে ইচ্ছামতে বাণ নত কৰে, বাঢ়িয়ে যেনে ইচ্ছা কাঠৰ গুঢ় লগায়। সেইদৰে পণ্ডিত-সকলে নিজ ইচ্ছামতে মন চলায়।

৮১। শিলাময় পৰ্ব্বত বতাহত লবচব নহয়। সেই-দৰে পণ্ডিতসকল নিন্দা আৰু প্ৰশংসাত বিচলিত নহয়।

৮২। গভীৰ হ্ৰদ যেনে নিৰ্ম্মল আৰু প্ৰশান্ত, পণ্ডিত-সকলো ধৰ্ম্মশ্ৰৱণ কৰি তেনে থিৰ আৰু প্ৰশান্ত হয়।

৮৩। পণ্ডিতলোকে পঞ্চস্কন্ধত আসক্তি এৰে, সাধু-লোকে কামাবস্তু বিষয়ে কথা নকয়, সুখ বা দুখত পৰি তেওঁলোকে উদ্ভত বা অৱনত ৰূপ নধৰে।

৮৪। যি লোকে নিজৰ বা আনৰ কাৰণে পুত্ৰ, ধন বা ৰাজ্য একোকে ইচ্ছা নকৰে, যি লোকে অধৰ্ম্ম উপায়ে নিজৰ সমৃদ্ধি ইচ্ছা নকৰে তেওঁ চৰিত্ৰবান জ্ঞানী আৰু ধাৰ্ম্মিক হয়।

৮৫, ৮৬। বৰ কম সংখ্যাৰ মানুহেইহে নিৰ্ব্বাণ সাগৰৰ পাৰ পাবগৈ পাৰে। বাকী লোকে মাথোন পাৰতে লৰি ফুৰে। সুন্দৰকৈ ব্যাখ্যা কৰা ধৰ্ম্মমতে চলা লোকসকলে সঁচাকৈয়ে পাৰ হব নোৱাৰা যম ৰাজ্যকো চেবাই নিৰ্ব্বাণ লাভ কৰে।

৮৭, ৮৮। পণ্ডিতলোকে সংসাৰৰ দুখময় জীৱন ত্যাগ কৰি সন্যাস অৱলম্বন কৰি বৈৰাগ্যৰ পুণ্যময় জীৱন যাপন কৰে। পণ্ডিতলোকে বাসনা ত্যাগ কৰি, চিত্তৰ মালিন্য দূৰ কৰি সহজে লাভ কৰিব নোৱাৰা বিবেকত ৰতি কৰে।

৮৯। যাৰ চিত্ত সম্বোধ্যাঙ্গত * অৰ্থাৎ সপ্তবোধি-জ্ঞানত সুপ্ৰতিষ্ঠিত, যিসকলে উপাদান এৰি অনুপাদানত ৰত থাকে তেওঁলোকেই ইহলোকত ক্ষীণাশ্ৰৱ-অন্তমুখী, জ্যোতিষ্মান আৰু পৰিনিৰ্ব্বান পাওঁতা।

অৰহন্ত বগ্‌গো=অৰ্হত।

সত্তমো—সপ্তম।

৯০। যাৰ ভ্ৰমণ শেষ হৈছে, যাৰ শোক দূৰ হৈছে, যিজন সকলো প্ৰকাৰে মুক্ত হৈছে আৰু যাৰ সকলো গাঁথি ছিণ্ডি গৈছে তেওঁৰ কোনো দুখ নাই।

৯১। যি সকলে একাগ্ৰ মনে ধৰ্ম্ম আচৰণ কৰে তেওঁলোকে গৃহসুখত আনন্দ নাপায়। হাঁহে পুখুৰী এৰি যোৱাৰ দৰে তেওঁলোকে গৃহ ত্যাগ কৰি আঁতৰি যায়।

৯২। কোনো সঞ্চয় নথকা, পূৰ্ণজ্ঞানেৰে ভোজন কৰা,

* স্মৃতি, বিচাৰ বীৰ্য্য, প্ৰীতি, আনন্দ, সমাধি বা ধ্যান আৰু সমভাৱ, শান্তভাৱ।

আৰু নিৰ্ব্বান পোৱা লোকৰ গতি আকাশত উৰিবৰ চৰাই বোৱৰ খোজৰ দৰে অৰ্থাৎ নিৰ্ণয় কৰিব নোৱাৰা।

৯৩। যাৰ কামাদি দোষ ক্ষয় হৈছে, যাৰ নিৰ্ব্বান লাভ হৈছে, তেওঁৰ গতি আকাশত উৰিবৰ চৰাইৰ দৰে দুৰ্জ্ঞেয়।

৯৪। সাৰথিয়ে ঘোৰাক শাসন কৰাৰ দৰে যি সকলে ইন্দ্ৰিয় দমন কৰিছে তেনে অভিমানহীন আৰু পাপহী লোকৰ অৱস্থা পাবলৈ দেৱতা সকলেও কামনা কৰে।

৯৫। তেনে সুব্ৰতী পুৰুষ পৃথিবীৰ দৰে সহনশীল, মান-অপমান, সুখ-দুখ আদিত সমভাবাপন্ন আৰু বোকা নথকা হ্ৰদৰ দৰে নিৰ্ম্মল আৰু শান্ত। তেনে লোক আৰু সংসাৰলৈ আহিব নালাগে।

৯৬। পূৰ্ণজ্ঞানেৰে মুক্ত হোৱা তেনে ধীৰলোকৰ চিত্ত প্ৰশান্ত হয়, বাকা শান্ত হয় আৰু কৰ্ম্মও শান্ত হয়।

৯৭। বিলোকে পৰৰ কথাবে বাট নুবুলে, যিজনে নিৰ্ব্বানতত্ত্ব জানিছে, যিজনে সংসাৰাবৰ্ত্তন ছেদ কৰিছে আৰু সং অসৎৰ হাত এৰাইছে, যাৰ সকলো বাসনা শেষ হৈছে, তেৰেঁই প্ৰকৃত সাধু।

৯৮। গাঁওঁতে বা হাবিতে, তলতে বা ওখঠাইতে, য'তে অৰ্হত সকল থাকে সেই ঠাইছেই বমণীয়।

৯৯। অৰণ্য বমণীয়। যি ঠাইত আন লোকে আনন্দ নাপায়, অনাসক্ত লোকে সেই ঠাইতে সুখ পায় কাৰণ তেওঁলোক কামাদেবী নহয়।

সহস্স বগ্গো=সহস্র বর্গ।

(অট্ঠমো) অষ্টম।

১০০। অৰ্থহীন হাজাৰ কথাতকৈ অৰ্থ থকা এটা কথাই শ্ৰেষ্ঠ, কাৰণ, তাকে শুনি মানুহ শান্ত হয়।

১০১। হাজাৰ অৰ্থহীন পদতকৈ অৰ্থথকা এটা পদেই শ্ৰেষ্ঠ।

১০২, ১০৩। অৰ্থহীন হাজাৰ শ্লোক কোৱা লোকতকৈ লোকৰ চিত্ত শান্ত হোৱা এটি ধম্মপদ শ্ৰেষ্ঠ। এজনে বৰত হাজাৰ লোকক জয় কৰিব পাৰে, কিন্তু যিজনে মাথোন নিজকে জয় কৰিছে তেওঁ জগী সকলৰ ভিতৰত প্ৰধান।

১০৪, ১০৫। সাধাৰণ লোকক জয় কৰাতকৈ নিজক জয় কৰাই শ্ৰেয়ঃ। নিজক জয় কৰা আৰু সংযত ভাবে থকা লোকক দেৱতা, গন্ধৰ্ব্ব, ব্ৰহ্মা বা মাৰায়ো পৰাজয় কৰিব নোৱাৰে।

১০৬। শ বছৰ ধৰি হাজাৰ মুদ্ৰা ভাটি মাহে যজ্ঞ কৰাতকৈ স্থিত-প্ৰজ্ঞ অৰ্থাৎ প্ৰকৃত জ্ঞানী লোক এজনক মুহূৰ্ত্ত মাত্ৰ পূজা কৰাও শ্ৰেয়ঃ।

১০৭। শ বছৰ ধৰি বনত অগ্নিদেৱৰ সেৱা কৰাতকৈ ধৰ্ম্মপৰায়ণ লোক সকলক এজনক পূজা কৰাই শ্ৰেয়ঃ।

১০৮। পুণ্যাকাঙ্ক্ষী লোকে ইহলোকৰ এবছৰ ধৰি যাগ-যজ্ঞ কৰাৰ মূল্য, সাধুলোকৰ সেৱাৰ ফলৰ চাৰি ভাগৰ এভাগো নহয়। সৰল প্ৰকৃতিৰ সাধু লোকৰ সেৱা বৰ শ্ৰেষ্ঠ ধৰ্ম্ম।

১০৯ সদায় বুঢ়া লোকক নমস্কাৰ জনোৱা আৰু সম্মান দেখুৱা লোকৰ আয়ু, বৰ্ণ, সুখ আৰু বল এই চাৰি সম্পদ বাঢ়ি যায়।

১১০ চৰিত্ৰহীন আৰু অসংযত হৈ এশ বছৰ জীয়াই থকা লোকৰ জীৱনতকৈ চৰিত্ৰবান আৰু ধ্যানপৰায়ণ লোকৰ এদিনৰ জীৱনো শ্ৰেয়ঃ।

১১১। জ্ঞানহীন আৰু অসংযত লোকৰ এশ বছৰ জীৱনতকৈ জ্ঞানী আৰু ধ্যান পৰায়ণ লোকৰ এদিনৰ জীৱনো শ্ৰেয়ঃ।

১১২। এলেহুৱা বীৰ্য্যহীন লোকৰ এশ বছৰৰ জীৱনতকৈ দৃঢ়বীৰ্য্য লোকৰ এদিনৰ জীৱনো শ্ৰেয়ঃ।

১১৩। জন্ম, মৃত্যু নেদেখি এশ বছৰ জীয়াই থকা লোকৰ জীৱনতকৈ জন্ম মৃত্যু দেখা লোকৰ এদিনৰ জীৱনো শ্ৰেয়ঃ।

১১৪। অমৃতপদ অৰ্থাৎ নিৰ্ব্বানপদ নেদেখি এশ বছৰ জীয়াই থকা লোকৰ জীৱনতকৈ অমৃতপদ দেখিছা লোকৰ এদিনৰ জীৱনো শ্ৰেয়ঃ।

১১৫। উত্তম ধৰ্ম্ম নুবুজা লোকৰ এশ বছৰীয়া জীৱনতকৈ উত্তম ধৰ্ম্ম বুজা লোকৰ এদিনৰ জীৱনো শ্ৰেয়ঃ।

ভাৰতীয় অৱতাৰবাদৰ অভিব্যক্তি

—মিঃ এছ, ছি, ৰায়, এম্,-এ (অক্সফোর্ড) আই, ই, এছ
অধ্যক্ষ—কটন কলেজ

বৈদিক যুগতে ভাৰতীয় অৱতাৰবাদৰ প্ৰথম উৎপত্তি হয় আৰু উপনিষদিক ভাৱ সৌতৰ প্ৰভাৱত ইয়াৰপৰিপুষ্টি সাধন হয়। আমাৰ অতি প্ৰাচীন সাহিত্যত অৱতাৰবাদ সম্বন্ধে বিশেষ পৰিস্ফুট বৰ্ণনা পোৱা নগলেও ভগবদ্গীতাৰ অৱতাৰবাদত ঋষি কবিৰ প্ৰতিভাই বেদনিহত দুটা সুকীয়া ভাৱ সৌতৰ সমাবেশ কৰি নীতি-ধৰ্ম্মৰ এটি মিলন সৌত বোৱাইছে। অতি প্ৰাচীন কালৰ ভাৰতীয় সাহিত্যৰ পথা অৱতাৰ সম্বন্ধে ধাৰণাৰ ক্ৰমবিকাশ দেখুৱাই আমি গীতাৰ শ্ৰীকৃষ্ণত এই ভাৰৰ মূৰ্ত্তিমন্ত বিকাশ সাধন দেখুৱালে এই কথা স্পষ্টকৈ বুজিব পৰা হব।

ঋগ্বেদৰ কালতেই (১১৩।১-২) আমি এজন দেৱতাক আন এজন দেৱতাৰে একে দেখিবলৈ পাওঁ। উদাহৰণ স্বৰূপে দেখুৱাব পাৰি যে অগ্নি দেৱতাক, বৰুণ, মিত্ৰ, ইন্দ্ৰ আৰু আৰ্য্যমনবে একেজন বুলি কোৱা হৈছে। যি সূত্ৰে বা প্ৰণাত বেলেগ বেলেগ দেৱতাৰ ভিতৰত এই প্ৰকাৰৰ আত্মানুভূতি কৰা হৈছিল তাক মেক্সমুলাৰ ছাহাবে "হিনথেইজম্" আখ্যা দিছে।

ডাঃ ভাণ্ডাৰকাৰৰ মতে, এক পৰমাত্মা ভিন ভিন ৰূপত প্ৰকাশ হয় বুলি কোৱা পিছৰ উপনিষদৰ মতটোও এই এক আত্মানুভূতিৰে বিগবীত গতিৰ বিকাশ হে মাথোন। কাৰণ, যদি ভিন ভিন দেৱতা সকল এক হয় তেনে হলে স্বভাৱতে এই ধাৰণা হয়হি যে এক ঈশ্বৰেই নানা দেৱতাৰ ৰূপ ধাৰণ কৰিব পাৰে। এক ঈশ্বৰেই যে বেলেগ বেলেগ ৰূপ ধাৰণ কৰে এই ভাবটো ঋগ্বেদৰ ৭।৫৫ অত অস্পষ্ট ভাৱে এই দৰে প্ৰকাশ পাইছে:—

"হে গৃহদেৱতা (বাস্তোষ্পতি), তুমি আমাৰ বন্ধু হোৱা, আৰু ব্যাধি-হন্তাৰূপে নানা শৰীৰত প্ৰবিষ্ট হৈ আমাৰ আনন্দ উৎপাদন কৰা।" নিৰুক্তত (১০, ১৯) এই ভাবটো ইয়াতকৈ অলপ স্পষ্ট হৈ প্ৰকাশ পাইছে যেনেঃ—"দেৱতা সকলে ইচ্ছা কৰিলে যেই সেই ৰূপকে ধাৰণ কৰিব পাৰে।" ঈশ্বৰৰ অৱতাৰৰ মতটো প্ৰথমতে আৰু প্ৰধানকৈ এই দেৱতাসকলৰ একত্ব কল্পনাৰ ওপৰত নিৰ্ভৰ কৰে। লাহে লাহে এই একত্বৰ ধাৰণা বাঢ়ি যায় আৰু ধৰ্ম্মবিজ্ঞানৰ সীমা অতিক্ৰম কৰি শেষত এই একত্ব নিখিল বিশ্বৰ মূলতত্ত্বৰূপে পৰিগণিত হয়। তেতিয়া মানুহে দেৱতা সকলকে মাথোন এক ঈশ্বৰৰ বেলেগ বেলেগ ৰূপ বুলি ধৰি সন্তুষ্ট নাথাকে, সকলো প্ৰাণী আৰু দৃশ্যমান জগতখনকে এক পৰমব্ৰহ্মৰ অভিব্যক্তি বা ৰূপান্তৰ বুলি ধৰে। উপনিষদত কয়—বেলেগ বেলেগ বস্তু আৰু আত্মাৰ ওপৰত একব্ৰহ্ম বা আত্মা আছে আৰু বহুৰূপী জগতখন এই ব্ৰহ্মৰে প্ৰকাশ মাথোন। কঠোপনিষদত (৫।৭—১২,৪।") আৰু বৃহদাৰণ্যকত (৪।৪-১৯) আছে :—

অগ্নিৰ্যথৈকো ভুবনং প্ৰবিষ্টো
ৰূপং ৰূপং প্ৰতিৰূপং বভূব

* * * * *

বায়ুৰ্যথৈকো ভুবনং প্ৰবিষ্টো

* * * * *

একস্তথা সৰ্ব্বভূতান্তৰাত্মা ৰূপং ৰূপং প্ৰতিৰূপো বহিশ্চ
একং ৰূপং বহুধা য কৰোতি
নেহ নানাস্তি কিঞ্চন।

সকলো প্ৰাণী, সকলো শক্তি, সকলো ব্যক্তিগত আত্মা এক পৰমআৰে বেলেগ বেলেগ প্ৰকাশ বা ৰূপ, এই ভাবটোকে গীতাৰ প্ৰতিভাসম্পন্ন কবিয়ে দৌবানিক আৰু কবি ভাবৰ সাঁচত প্ৰকাশ কবি কৃষ্ণকে ঈশ্বৰ প্ৰতিপন্ন কৰিছে আৰু গোটেই বিশ্বব্ৰহ্মাণ্ডকে ঈশ্বৰৰ শৰীৰ বুলি কল্পনা কৰিছে। (গীতা, ৭ম অ, ৯ম ৪-৬, ১৬-১৯ ;

দশম ২০-৪২ ; দ্বাদশ ২৭—২৮ ; ৩০—৩৩, পঞ্চদশ ১২ ১৫ ; আক একাদশ] আত্মা আক ঈশ্বৰ একত্ব ভাবেও অৱতাৰবাদৰ প্ৰতি আমাৰ ঋষি কবিৰ মন আকৃষ্ট কৰিছে। প্ৰকৃততে গীতা ৰচনা কৰাৰ বহুকালৰ আগৰে পৰা ভাৰতত, আচাৰ্য্য বা ঋষি সকলে নিজকে পৰমাত্মাৰে সৈতে অভিন্ন বুলি সিদ্ধান্তে কল্পনা কৰিছিল সি জনা আছিল। যি সকল ঋষিয়ে "অহং ব্ৰহ্মাস্মি, 'তত্ত্বমসি', 'সোঽহং' আদি নিৰ্ভীক অথচ গাম্ভীৰ্য্যপূৰ্ণ বাক্যেৰে জীৱাত্মা আক ঈশ্বৰ অভিন্নতা প্ৰতিপাদন কৰিব পাৰিছিল তেওঁলোকেহে ঈশ্বৰপ্ৰদত্ত বুলি তেওঁলোকৰ শিক্ষাবিলাক দিব পাৰিছিল।

ঋগবেদতো (৪ ২৬,১) ঋষি বামদেৱে কৈছে :—

"মই একালত মনু আছিলোঁ, একালত সূৰ্য্য আছিলোঁ যজ্ঞকৰা লোক সকলৰ ওপৰত বহুগুণ ঢালিছিলোঁ—মই, গৰ্জ্জন কৰা প্ৰাণীবিলাকক মই আনিছোঁ। দেৱতা সকলে মোৰ ইচ্ছা পালন কৰে।" কৌষিতকি উপনিষদৰ প্ৰতৰ্দ্দন আক ইন্দ্ৰৰ আখ্যান আক ব্ৰহ্মসূত্ৰত তাৰ ব্যাখ্যায়ো একে কথাকে কয়।

সকলো লোকতে আত্মা আক ঈশ্বৰ অভিন্ন হলেও মাণোন জ্ঞানী আক গৰিত্ৰ ঋষি সকলৰ অন্তৰতহে এই অভিন্নত্বৰ বিশেষ অনুভূতি হয়। এই দৰেই বুৰঞ্জী প্ৰসিদ্ধ মহাপুৰুষ সকল, বীৰসকল, ধৰ্ম্মসংস্থাপক বা প্ৰবৰ্ত্তক সকল আক সংস্কাৰক সকল, ঈশ্বৰৰ শৰীৰ ধাৰী অৱতাৰ বুলি বিশেষ পূজাৰ পাত্ৰ হৈ উঠে। গীতাৰ দশম অধ্যায়ৰ ৪১ সংখ্যক শ্লোকত কয় যে সকলো ঐশ্বৰ্য্যযুক্ত, শ্ৰীসম্পন্ন আক সুন্দৰ বস্তুৰেই ঈশ্বৰৰ একো একোটা বিভূতি বা প্ৰকাশ। গীতাৰ এই কথাকো আমি ওপৰত কোৱা ভাৱেহে বুজিব লাগে। এই ভাবতে কবিয়ে শ্ৰীকৃষ্ণক শৰীৰধাৰী ঈশ্বৰ বুলিছে আক তেওঁক মুনিসকলৰ ভিতৰত ব্যাস আক আদিতাসকলৰ ভিতৰত বিষ্ণু আদি বুলি কৈছে।

এই দৰে আমি দেখিবলৈ পাওঁ যে অৱতাৰৰ ভাবটো আগৰে পৰা প্ৰচলিত দুটি ভাৰৰ মিলন হৈ বেদান্তত প্ৰকাশ পাইছে। সেই দুটা ভাৱ এয়ে :—

(১) একব্ৰহ্মস্থে বহুৰূপে প্ৰকাশ, আক (২) সকলো জীৱাত্মা, বিশেষকৈ, মহৎলোক সকলৰ আত্মা ঈশ্বৰৰে সৈতে এক। গীতাৰ কবিয়ে ইয়াকে এটি নীতি ধৰ্ম্মমূলক গঢ় দিছে, কাৰণ তেওঁৰ অৱতাৰবাদৰ মূলত ঈশ্বৰবিহিত বিশ্বশৃঙ্খলাৰ অনুভূতি এটি আছে। গীতাৰ চতুৰ্থ অধ্যায়ৰ ৭-৮ শ্লোকত আছে, "যেতিয়াই ধৰ্ম্মৰ গ্লানি আক অধৰ্ম্ম প্ৰাদুৰ্ভাৰ হয়, তেতিয়াই মই নিজকে সৃজন কৰোঁ। সাধুসকলক পৰিত্ৰাণ কৰিবলৈ আক দুষ্টক বিনাশ কৰিবলৈ মই যুগে যুগে জন্ম ধৰোঁ।"

কিন্তু গীতাৰ অৱতাৰবাদত বৈদান্তিক ভাবধাৰাৰ স্বাভাৱিক বিকাশ দেখিলেও আক এই অৱতাৰবাদৰ আদৰ্শমূলক দাৰ্শনিক আক নৈতিক ভাৰৰ পৰা ব্যাখ্যা কৰিব পাৰিলেও গীতাত অৱতাৰ শব্দৰ উল্লেখ নাই বা অৱতাৰ সকলৰ সংখ্যা বা নাম নাই। পিছৰ বৈষ্ণৱ আক অন্যান্য সাম্প্ৰদায়িক সাহিত্যত এই অৱতাৰৰ ধাৰণাটো সম্পূৰ্ণভাৱে বাস্তৱৰূপত আক প্ৰায় পৌৰাণিক গল্প ভাৱত পৰিণত হয়। মহাভাৰতৰ "মোক্ষধ্যায়" বোলা দ্বাদশ অধ্যায়ত পৰমেশ্বৰ নাৰায়ণক, নৰ, নাৰায়ণ, হৰি আক কৃষ্ণ এই চাৰিটা ভাৱে জন্ম লোৱা বুলি কয়। তাৰ পিছত নাৰায়ণ বাসুদেৱ, সঙ্কৰ্ষণ প্ৰদ্যুম্ন আক অনিৰুদ্ধ এই চাৰিমূৰ্ত্তিৰ ক্ৰমে পৰমাত্মা, জীৱাত্মা, বুদ্ধি আক অহঙ্কাৰেৰে এক বুলি কোৱা পোৱা যায়। বেলেগ বেলেগ যুগত হোৱা ছয় —গিছত দহ—অৱতাৰৰ উল্লেখ আছে। বিষ্ণু বা নাৰায়ণক, বৰাহ, হংস, কূৰ্ম্ম, মৎস্য, নৰসিংহ, বামন ইত্যাদি ৰূপত পৃথিৱীত অৱতাৰ হোৱা বুলি কয়। হৰিবংশতো এই ভাৱকে পোৱা যায়। বিষ্ণুপুৰাণত অৱতাৰ সম্বন্ধে বৈষ্ণৱ আক বহু স্বাতন্ত্য ভাৱটোক বিশেষকৈ বহলাইছে। ক্ষীৰসাগৱত অনন্ত শয্যাত বিষ্ণুৰে তেওঁৰ ভাৰ্য্যা লক্ষ্মীৰ সৈতে শয়ন কৰি থকাৰ কথা পোৱা যায়। দেৱতা আক অসুৰৰ মাজতে এখন তুমুল সংগ্ৰাম হয় দেৱতা সকল হৰি বিষ্ণুৰ সহায় প্ৰাৰ্থনা কৰে। দেৱতা সকলৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ তেওঁ কয় ;—"মই প্ৰধান যুদ্ধাক পৰস্কাৰ শৰীৰত আংশিকভাৱে প্ৰবেশ কৰি অসুৰক নিধন কৰিম। গিছত যুদ্ধত দৈৱশক্তিৰ প্ৰেৰণাত পৰজুৱে অসুৰক বিনাশ কৰে।

(বিষ্ণুপুৰাণ ৪।১।৮—১০) আকৌ বিষ্ণুৰাণৰ এঠাইত (৬।১।৫৯) কৈছে দেৱতা সকলৰ প্ৰাৰ্থনাত দুষ্ট হই বিষ্ণুৱে এডাল বগা আক এডাল ক'লা চুলি লৈ কলে—"এই চুলি দুডালে তেজমন্থহৰ কাণ লৈ পৃথিৱীলৈ গৈ পৃথিৱীৰ দুঃখ হৰণ কৰিব। কৃষ্ণ আক বলৰামক বিষ্ণুৰ দুডাল চুলিবুলি কয়। ভগৱত পুৰাণতো একে কথাকে কয় :—(১২৭ ,২৫) অসুৰ সেনাৰ অত্যাচাৰত হোৱা পৃথিৱীৰ দুঃখ হৰণ কৰিবলৈ ঈশ্বৰৰ অংশ, বগা আক ক'লা চুলি দুডাল অৱতাৰ হৈছে ; (দশম, ১৬-১৮)। বিশ্বাত্মা আংশিক-ভাৱে বসুদেৱৰ আত্মাত প্ৰবিষ্ট হয় আক বসুদেৱে দেৱকীৰ গৰ্ভত বিশ্বাত্মাৰ অংশ স্থাপন কৰে। এই জনা দেৱীয়ে এই অংশ গ্ৰহণ কৰিলে। এই অংশেও তেওঁ নিজেই, কাৰণ তেওঁ সকলো প্ৰাণীৰ আত্মা।"

এই কথাবোৰত প্ৰকাশ হোৱা দ্বৈতবাদেৰে সৈতে ভগৱদ্গীতাৰ অদ্বৈতবাদৰ তুলনা কৰিলে তাৰ আক যুগৰ অতিশয় পাৰ্থক্য সহজে বুজিব পৰি। আগবঢ়োৱা মতৰ অৱতাৰবাদেৰে সৈতে খৃষ্টীয় অৱতাৰবাদৰ ইমান মিল যে, কোনো কোনো পণ্ডিতে, ভাবতৰ, বিশেষকৈ বৈষ্ণৱীয় অৱতাৰবাদৰ অভিব্যক্তিত খৃষ্টীয় মতৰ কিছু প্ৰভাব পৰা বুলি অনুমান কৰে। ৰেবাৰে তেওঁৰ Indische stdieu (১৪২৩) অত কয় যে খৃষ্ট ধৰ্ম্মৰ প্ৰভাৱেই, ব্যক্তিৰূপণ এজন ঈশ্বৰৰ পূজাৰ ওপৰত প্ৰতিষ্ঠিত ভাৰতীয় সাম্প্ৰদায়িকতাৰ মূলভিত্তিৰ উৎপত্তিৰ কাৰণ। আক এঠাইত টোকাত (২-১৬৯) তেওঁ কয় যে, তেওঁৰ মতে গোটেই অৱতাৰবাদৰ কথাটোৱেই খৃষ্টধৰ্ম্মাৰ্থত ঈশ্বৰৰ অৱতাৰৰ কথাৰ অনুসৰণত উৎপত্তি হৈছে। (৩৯৯ আক ৪০৯ পৃষ্ঠাত চাওক)। ৰেবাৰৰ এই মতৰ খণ্ডত মোৰ মত নিম্নিলে। মানুহৰ দুখ নিবাৰণ কৰিবলৈ আক পাপীক শাস্তি দিবলৈ পৰমেশ্বৰে নৰশৰীৰ ধৰি পৃথিৱীত অৱতাৰ হোৱা ভাৱটো, বৈদিক ধৰ্ম্মৰ ভিতৰতা নানা ভাৱৰ আক ভাৱতৰ সৰ্ব্বসাধাৰণ বিশ্বাসৰ সংযোগত হোৱা বুলি বুজাৰ পাৰি ; ইয়াত খৃষ্টীয় মতৰ একো সম্বন্ধ নাই। প্ৰথমতে, সৰ্ব্বদৰ্শসম্মত ঈশ্বৰৰ সৰ্ব্বশক্তিসম্পন্নতাৰ পৰাই সম্ভৱ হয় যে ঈশ্বৰে ইচ্ছামতে নানাৰূপ ধাৰণ কৰিব পাৰে। দ্বিতীয়তে, বৈদিক সূক্তবোৰতে, সাধুসকলে, ধৰ্ম্মযাজক সকলে আক কবি সকলে ঈশ্বৰৰ স্তুতা আক সহায় পোৱা আক তেওঁলোকৰ শত্রু, দৈত্য আক অসুৰবিলাকে প্ৰতিফল শাস্তি পোৱাৰ কথা প্ৰায়েই পোৱা যায়। তৃতীয়তে মহাপুৰুষ সকলত আক ধৰ্ম্ম প্ৰবৰ্ত্তক সকলত ঈশ্বৰত্ব আৰোপ কৰাটো ভাৰতীয় মনৰ এটা স্বাভাৱিক প্ৰবৃত্তি আক সেই কাৰণেই কোনো অসাধাৰণ শক্তি সম্পন্ন লোকক অনুগামী সকলে, উক্ত লোকক ঈশ্বৰত্বলৈ তোলাৰ পিছত সহজতে ওলোটাই এই দৰে কৈছিল আক মানিছিল যে ঈশ্বৰে তেওঁৰ কোনো পূৰ্ব্বলিখিত পৰিকল্পনাৰেদে এই এই ৰূপত পৃথিৱীত অৱতাৰ হৈছিল। অৱশেষত ভাৰতীয়লোকৰ, আত্মাৰ জন্মান্তৰত বিশ্বাসে আক ধৰ্ম্মবিষয়ত সহিষ্ণুতা আক উদাৰতাৰ ভাবে এই মীমাংসাত উপনীত কৰায় যে অৱতাৰ সকল, এক ঈশ্বৰৰে বেলেগ জন্ম মাণোন। এই দৰেই অৱতাৰ বীতিয়ে গঠন লয় ; আক নিৰ্দ্দিষ্ট সংখ্যা, আক ক্ৰম অনুসৰি অৱতাৰ হোৱা কথা প্ৰকাশ পায়। এই বিলাকেই অৱতাৰ বীতৰ ভাৱ গঠন উপাদান আক এই বিলাকৰ উৎপত্তি ভূমি ভাবতেই। এনে হলেও মই মানো যে গীতাৰ অৱতাৰ বাদৰ বহুত পিছতহে বৈষ্ণৱসাহিত্যৰ অৱতাৰবাদৰ উৎপত্তি হয় ; আক এইটো হব পাৰে যে গোপাল কৃষ্ণ, তেওঁৰ মাতৃ দেৱকী আক বৃন্দাবন আখ্যানটোৱে বৈষ্ণৱ ধৰ্ম্ম গঠনত খৃষ্টীয় পুৰাণৰ প্ৰভাৱ দেখুৱাইছে। অৱশ্যে ইয়াৰ দ্বাৰা মই, বৈষ্ণৱ ধৰ্ম্মৰ ভক্তি বস্তুটো খৃষ্ট ধৰ্ম্মৰ পৰা উৎপত্তি হোৱা বুলি কোৱা কোনো কোনো পাশ্চাত্য পণ্ডিতৰ অদ্ভুত মত সমৰ্থন কৰা নাই। এই মতটো থাকে, আক ভাঙোৱাকাৰে ভালকৈয়ে খণ্ডন কৰিছে।

তাজমহল

গল্প—

—শ্ৰীযুত যুগলকুমাৰ দাস, বি-এচ-চি

শিৱসাগৰৰ কথা। জয়সাগৰৰ পাৰতে ডেকা মুনচুফ্ নজৰুল ইচলামৰ ঘৰ।

ভাদমাহ। গৰমৰ প্ৰকোপ কমা নাই। কৃষ্ণ দ্বিতীয়াৰ এজোলোকো জোনাক খিৰিকি খনেৰে সোমাই বিছনাখনৰ ওপৰত পৰিছেহি। বিছনাত পৰি আছে মেৰেজা—ৰোগক্লীষ্টা শুকাই ক্ষীণাই ক্লান্ত অৱস্থাত। ওচৰতে চকী এখনত বহি গিৰিয়েক নজৰুলে মেৰেজাক বিচিব লাগিছে। বাৰ মান বাজিছিল হবলা। ঘৰৰ অইনবোৰ মানুহ শুই পৰিছে। বেমাৰীৰ ঘৰ, দিনটো কামকাজৰ হুতাপৰা। উজাগৰ আছেই। সাতে পাছে সিদিনাখন নজৰুলে অইনবোৰ মানুহক শুবলৈ কৈ নিজেই পৰিয়া দিছিল।

মেৰেজাই এবাৰ দীঘল হুমুনীয়াহ এটা পেলাই কাতি সলালে। নজৰুলে মেৰেজাৰ মুখৰ ওচৰলৈ জুমি পৰিল, সুধিলে—।

—"কিবা লাগেনেকি মেৰেজা?

মেৰেজাই কলে, "একো নালাগে টোপনিহে আহিব খোজা নাই।"

নজৰুলে কলে, "শুৱলৈ চেষ্টা কৰা। টোপনি আপোনা আপুনি আহিব।"

মেৰেজাই নিমাত হৈ ৰল। কিছুপৰৰ পিছত আকৌ লাহে লাহে কবলৈ ধৰিলে,—

"আপোনাৰ চাগে কিমান কষ্ট হৈছে! মই কি পাপী আ—হা পাপীৰ লগত যমদূতৰো শাস্তি!"

"মনে মনে থাকা মেৰেজা, মইতো তোমাক সেইবোৰ কথা কবলৈ দিয়া নাই।"

মেৰেজাই আকৌ তলকা মাৰিলে। বাহিৰৰ ফালে শূন্যদৃষ্টি পেলাই কিবা কিবি ভাবিবলৈ ধৰিলে; এনেতে আহিল এছাটি মৃদুমন্দ শীতল বা'। লগতে আমিলে হাচনাহানাৰ মনমোহা সুবাস। মেৰেজাই কলে,

—কি সুন্দৰ জোনাক।

—এৰা মেৰেজা, ফৰিংফুটা জোনাক।

নজৰুলে চাই পঠিয়ালে খিৰিকিয়েদি। দূৰৈত দেখা পালে জয়সাগৰৰ পুখুৰীটি। পাৰত জয়দৌল থিয় দি আছে, পানীত দৌলৰ ছাঁ—কেবল কলা-বগাৰ সমাবেশ। দৌলে সোৱঁৰাই দিছে মানুহক আহোম সতী জয়াৰ মহান প্ৰাণটিৰ কথা। নজৰুলৰ মনত পৰিল মেৰেজাৰে সৈতে ৰবদিনৰ বন্ধত আগ্ৰালৈ যোৱা ভ্ৰমণ বৃত্তান্ত। আগ্ৰাৰ সেই তাজমহল, ঠিক এটি জোনাক নিশা সেই সমাধি দুয়ো দৰ্শন কৰি আহিছিল।

মনঃতত্ত্বৰ প্ৰেৰণাতেই নেকি মেৰেজাই কৈ উঠিল,

—"আগ্ৰাত সেই দিনৰ কথা মনত পৰিছে আপোনাৰ? তাজমহল দৰ্শন? জোনাক নিশা? কি সুন্দৰ আছিল সেই দৃশ্য।"

—"তাকেই ময়ো ভাবিছোঁ। মোৰ বেছ মনত আছে মেৰেজা। খোদাই কৰিলে আকৌ এবেলি যাম, তুমি ভাল হৈ লোৱা বাৰু।"

"ভাল হৈ? ভাল আৰু মই কত হম!"

"কিয় ভাল নহবা? নিশ্চয় হবা।"

"কিন্তু যদি নহওঁ! মই যদি মৰি যাওঁ।"

"ছি ছি মেৰেজা। বিঘিনি নিচিয়াবা। মনে মনে থাকা, শোঁৱা। বহু ৰাতি হৈছে।"

"নহয় ক'ক বাৰু, মই মৰিলে মোৰো নামে এটা তাজমহল সজাব?"

"বেছ। সাজিম বাৰু, মনে মনে থাকা।"

মেৰেজাই নজৰুলৰ হাত এখন বুকুত সুমুৱাই ললে কলে,—"কি সুন্দৰ আপুনি।"

নজৰুলে মেৰেজাৰ কপালৰ আগত পৰা আউলি বাউলি চুলি কেই ডাল ঠিক কৰি দিবলৈ ধৰিলে।

ইকি মেৰেজাই কান্দিছে কিয়?

মেৰেজা, "তুমি কান্দিছা কিয়?"

"মই মৰিলে আপোনাক কোনে চাব বাৰু?"

নজৰুলে মেৰেজাৰ চকুৰ পানী মছি দিলে, নিজৰ চকুৰে কিন্তু জৰজৰাই পানী বাগৰি পৰিল।

মেৰেজাই কলে,

—মোৰ এটা অনুৰোধ ৰাখিব জানো?

—কি অনুৰোধ মেৰেজা? কোৱা বাৰু নিশ্চই ৰাখিম।

—মোৰ গাত ধৰি কক।

—তোমাৰ গাত ধৰি কৈছোঁ।

—মোৰ নামে তাজমহল সজাব নালাগে।

মেৰেজাই এটা কাঠ হাঁহি মাৰিলে। জোনৰ পোহৰত বেছ দেখা গৈছিল সেই হাঁহি। মেৰেজাই কলে

—তাজমহল! সি অইনলৈ মাৰ্ব্বলৰ চকুলো, প্ৰেমৰ চকুলো হলেও মোৰ কাৰণে হব নোৱাৰে।

—কিন্তু কি কব খুজিছা নোকোৱা কিয় মেৰেজা?

—তাকেইতো কওঁ বুলি ওলাইছোঁ।

অলপ ৰৈ আকৌ কলে,

—প্ৰজাৰ ধনেৰে, প্ৰজাৰ ওপৰত অত্যাচাৰ কৰি ছাজাহানে সাজিলে তাজমহল। পত্নীপ্ৰেমৰ বেছ বিজ্ঞাপন দিছিলতো?

—তুমি বাৰু মেৰেজা কি কব খুজিছা নোকোৱা কিয়?

মেৰেজাই কলে,

—আৰু মমতাজ! তেৱেঁই বা গিৰিয়েকক তেনে তেনে এটা অনুৰোধ কৰিলে কিয়! কি স্বাৰ্থপৰ আছিল মমতাজ! স্বামীক দুনাই বিয়া কৰাবলৈ হাক দি গল!

মেৰেজাৰ কপালখন আশ্চৰ্য্যত যেন কোচখাই গল। চকুজুৰি ডাঙৰ দেখা গল। নজৰুলৰ এইবাৰ দুয়োখন হাত বুকুত সাৱটি লৈ কলে,

—আপনি প্ৰতিজ্ঞা কৰক, মই মৰিলে আপুনি এজনী বিয়া কৰাব। মোৰ অনুৰোধ, আপুনি বিয়া কৰিব।

নজৰুলে কান্দি দিলে, কেচুৱা লৰাটিৰ দৰে। মেৰেজাৰ বুকুতে মুখ সুমুৱাই হুকহুকাবলৈ ধৰিলে। কলে,—

—মই যে মেৰেজা তোমাক মৰিবই দিব নোৱাৰোঁ।

নজৰুলৰ কান্দোন যেন আৰু নাথামে। মেৰেজাই কিন্তু অনৰ্গল কৈ গল।

—আপোনাৰ সুখ দেখা পালে মোৰ আত্মাই যে শান্তি পাব। আপুনি দহোকুৰি বিয়া কৰাব দেই। যাকে ভাল পায় তাকে কৰাব। মোক দিয়া মৰম চেনেহ সকলোখিনি তেওঁকো দিব। ময়েই বুলি ভাবিব তেওঁক। দেৱতা মোৰ—প্ৰাণৰ দেৱতা মোৰ!

* * * * *

নজৰুল আজি দৰদী। সচাঁকৈয়ে দৰদী। দ্বিতীয় বিবাহ এতিয়াও হোৱা নাই। হয়নে নহয় কবও নোৱাৰি। দেখোঁতে কিন্তু নজৰুলক বেছ স্বচ্ছলেই দেখা যায়। অৱশ্যে আগতকৈ বহুখিনি গহীন গম্ভীৰ হল। নজৰুলে কেইটিমান কবিতা লিখিছে। প্ৰকাশ কৰিব পৰা নাই তেওঁৰ প্ৰথম কবিতাটিৰ নাম হৈছে "গৰীবৰ তাজ।"

বম্বে কংগ্রেস

—শ্রীযুত হরেন্দ্রনাথ বকরা বি-এ

বম্বে কংগ্রেসটৈ গৈ কি দেখিলো শুনিলো, কি অভিজ্ঞতা লাভ কৰিলো—এই বিষয়ে অলপ বাহুল্যভাবে লিখিবলৈ কেইবা ঠাইতো আমি অনুরুদ্ধ হৈছোঁ। অগত্যা আমাৰ সাধাৰণ জ্ঞান বুদ্ধিৰে যি ঢুকি পাইছো, সেই অনুসাৰে দু-আষাৰ কবলৈ আগ বাঢ়িলো। কংগ্রেছৰ লগত অসংশ্লিষ্ট বিষয়ৰ আলোচনা এই প্ৰৱন্ধত সুযুমাৰলৈ যত্ন কৰা হৈছে। হয়তো আগলৈ আন এটা প্ৰৱন্ধত সেইবিলাক কথাৰ আলোচনা কৰা হব।

২৩ অক্টোবৰ তাৰিখে পুৱা বম্বে নগৰীৰ প্ৰান্তৱৰ্ত্তী দাদৰ ষ্টেশ্বন পাওঁতেই "কংগ্রেছ অভ্যৰ্থনা সমিতি"ৰ প্ৰায় এক ডজন ভলণ্টিয়াৰে আহি সুধিলে,—আমি ডেলিগেট কেইজন আছো। আৰু আমি তাতে নামিম নে নগৰৰ থাই ষ্টেশ্বন ভিক্টৰিয়া টাৰ্মিনাছত (Victoria Terminus) নামিম। দাদৰবপৰা কংগ্রেছ হোৱা ঠাই প্ৰায়ৈ প্ৰায় ছমাইল; কিন্তু ভিক্টৰিয়া টাৰ্মিনাছবপৰা প্ৰায় ৬ মাইল। দাদৰতে নামি গলে কিছু আগতে কংগ্রেছ নগৰ পামগৈ আৰু ৪ দিনীয়া বেল যাত্ৰাৰ ভাগৰ আৰু আমনি গুচোৱাটো অলপ আগ হয়। গতিকে ভিক্টৰীয়া টাৰ্মিনাছলৈকে টিকেট কৰা আছিল যদিও দাদৰতে নামি পৰিলোহেঁক। (শ্ৰীযুত ৰাজেন্দ্ৰনাথ বকরা আৰু তেখেতৰ পৰিবাৰ শ্ৰীযুত স্বৰ্ণলতা বকরা, শ্ৰীযুত পূৰ্ণচন্দ্ৰ শৰ্ম্মা, শ্ৰীযুত হৰিহৰ দুৱৰা, শ্ৰীযুত গঙ্গাৰাম বৰমেধি আৰু লিখক আমি এই ছজন আছিলোহেঁক।) এই সিদ্ধান্ত লওঁতে শ্ৰীযুতা বকরা আৰু তেখেতৰ সমৰ্থক এজন পৰাজিত (out-voted) হ'ল।

ভলণ্টিয়াৰ সকলে আমাৰ বাকছ আৰু বস্ত্ৰৰাৰ টোপোলাবোৰত আমাৰ নাম ঠিকনা লিখি একোটা টিকট মাৰি লৰীত তুলিদিলে আৰু আমিও উঠিলো। কেই মিনিট মানৰ পিছত গৈ কংগ্রেছ নগৰত উপস্থিত হলোঁগৈ। ডেলিগেট কেম্পৰ ওচৰতে অভ্যৰ্থনা সমিতিৰ এটি অফিচত আমাৰ নাম ঠিকনা ভৰ্ত্তি কৰাই গাইপতি ৩৲ টকাকৈ প্ৰতিনিধিৰ থকা ঘৰৰ ভাৰা আদায় কৰি প্ৰতিনিধিৰ "কার্ড" লৈ অসম কেম্পত সোমালোঁগৈ। ইফালে সিফালে চকু ফুৰাই দেখোঁ, এফালে বিশাল আৰব সাগৰৰ বাহিৰে আন তিনিও দিশে কংগ্রেছ নগৰৰ ওৰপৰা দেখিবলৈ নাই; দেখা পোৱালৈকে কংগ্রেছৰ ঘৰ দুৱাৰ, মাজে মাজে একোখন প্ৰকাণ্ড প্ৰকাণ্ড ত্ৰিবৰ্ণ ৰঞ্জিত জাতীয় পতাকা গৰ্ব্বভৰে উৰিব লাগিছে। পিছত হেঁপাহ পলুৱাই সকলো চাম বুলি ভাবি তেতিয়া চাহ এটোপা খাই গা-পা দুই ভোজনালয়ত ভাত বিচাৰিবলৈ ওলালোঁ। ভাত মানে 'খানা',—ঠিক ভাত নহবও পাৰে। আমাৰ ২য় শ্ৰেণীৰ থোৱা-বস্তুবিলাক বেয়া পোৱা নাছিলো। কিবাকিবি বহুত বিধ বস্তু (মাছ-মঙহ অৱশ্যে নাছিল) আৰু সেইবিলাকৰ পৰিমাণো যথেষ্ট আছিল। কিন্তু সেই হাজাৰ হাজাৰ মানুহৰ কাৰণে বন্ধা বঢ়া স্বাভাৰিকতে বৰ সুবিধাজনক আৰু তৃপ্তিদায়ক নহৈছিল।

কংগ্রেছ নগৰ

ৰাই বই উঠি সেইদিনা বাকী ডোখৰ সময় ভাগৰ মাৰোতেই গল। অলপ জিৰণি লৈ আৰেলি দুবলৈ নগোঁ সেইদিনা প্ৰদৰ্শনী (Swadeshi Exhibition) আৰু কংগ্রেছ নগৰখনকে ভালকৈ চাবলৈ বাহিৰ ওলালোহেঁক। কংগ্রেছ নগৰ বা আব্দুল গফাৰ খাঁ নগৰখন (উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ অবিসম্বাদী নেতা আব্দুল গফাৰ খাঁৰ নাম অনুসৰি নামাকৰণ কৰা) সঁচাকৈয়ে এখন সুপ্ৰতিষ্ঠিত স্বাভাৱিক নগৰ যেন লাগিল। ইয়াৰ আয়তন

ওৱাহাটী, ডিব্রুগড় প্ৰভৃতি দুখননি নগৰৰ বাহিৰে অসমৰ সকলো নগৰতকৈ ডাঙৰ হব। বজাৰ দোকান-পোহাৰ, হোটেল, পোষ্ট অফিছ, টেলিগ্রাফ অফিছ, ছপাখানা, আস্পতাল, কল-কাৰখানা—সকলোবোৰ প্ৰতিষ্ঠান ইয়াত আছে। ধোবা, নাপিত, মেথৰ, মুছি, গাড়োৱান, কুলী প্ৰভৃতি আৱশ্যকীয় বৃত্তিৰাজী মানুহৰ ইয়াত অভাব নাই। গাড়ী, বাগী, মটৰ, লৰী প্ৰভৃতি যান-বাহনৰ একোপাত ভিৰ দি বাট পাবলৈ নাই। লোকসংখ্যা সেই কেইদিন এই নগৰত গড় হিচাপে দিনে ৫০ হেজাৰৰ কম নহৈছিল।



বম্বে কংগ্রেছৰ খেছাসেৱিকা নকল

কংগ্রেছ নগৰৰ স্থাপন-প্ৰণালী, সাজ-সংজ্ঞাম আৰু কাৰুকাৰ্য্য দেখিলে অভ্যৰ্থনা সমিতিৰ কাৰ্য্যত বিস্ময় মানিব লাগে। এনে পৰিপাটিকৈ নগৰখনৰ ভিন ভিন অফিছ, খোৱা ঘৰ, থকা ঘৰ, ডেলিগেটৰ শিবিৰ, নেতাসকলৰ বহা, বিশ্ৰম বাছনি সভাৰ ঘৰ, কংগ্রেছ অধিবেশনৰ প্ৰাণ্ডেণ্ড, প্ৰদৰ্শনী বিভাগ, ডাকঘৰ, আস্পতাল, পুলিচ আৰু তিবোতা ভলণ্টিয়াৰৰ শিবিৰ প্ৰভৃতি তৈয়াৰ আৰু স্থাপন কৰা হৈছে। মাজে মাজে থকা আলিবাট, কংগ্রেছ মণ্ডপৰ আগত জাতীয় পতাকাৰ প্ৰতিষ্ঠা, ফুলনি, কংগ্রেছ নগৰলৈ সোমোৱা ছখন ডাঙৰ ডাঙৰ সুন্দৰ কৰা) দৰ্শকসকলৰ গেলেৰি প্ৰভৃতি অতি উচ্চ ধৰণৰ আৰু এইবিলাকত অপাৰ টকা খৰচ কৰা হৈছে। জাতীয় পতাকা প্ৰতিষ্ঠা কৰা ওখ আৰু পকা গোল ভেটটোত বোলে ৫০০৲ টকা খৰচ কৰা হৈছে। সেই প্ৰকাণ্ড নগৰখন কাষৰ জেওৰা দি বেৰি পেলোৱা হৈছে। প্ৰদৰ্শনী, কংগ্রেছ আৰু বুটাও টিনপাত গঞ্জালি বেৰি পেলোৱা হৈছে। গা ধোৱা কলৰ ঠাই, (মহিলাসকলৰ কাৰণে বিশেষ ব্যবস্থা আছে) পায়খানা প্ৰভৃতিৰ তলছগ পকী কৰা হৈছে। গেট আদিৰ কাৰুকাৰ্য্যৰ কাৰণেও ("গেট," ছজন বিখ্যাত নেতাৰ নাম অনুসাৰে নামাকৰণ) বিস্তৰ টকা খৰচ কৰিছে। যেন সকলোবোৰ স্থানীয়ে থাকিব। ৩০০০ ছ হেজাৰ ডেলিগেটে আৰু হয়তো তেওঁলোকৰ বহুতৰ পৰিয়ালে সৈতে আহিলেও ঠাই হোৱাকৈ ঠাই কৰা (ঘৰ সজা) হৈছিল। সেই দৰেই ৬০৭ হেজাৰমান দৰ্শকৰ কাৰণে পজাঁ সজা হৈছিল। এই পজাঁবোৰ যথেষ্ট আহল বহল আৰু নিয়মীয়াকৈ বেৰকুৰ দিয়া। প্ৰতিটো কোঠাতে শুবলৈ গাইপতি একোখন চেৰপাই আৰু একোটা বাল্টি, মগ আৰু থোৱা পানী থৰৱ কাৰণে একোটা মাটি কলহ দিয়া হৈছিল। বিজুলী চাকিৰে এই প্ৰত্যেকটো কোঠা আৰু গোটেই কংগ্রেছ নগৰ ৰমক জমক হৈ আছিল।

এতিয়ালৈকে ১৯১৮ চনত কলিকতাৰ কংগ্রেছেই বৰ চহকী আৰু জাক জমকপূৰ্ণ হৈছিল বুলি প্ৰখ্যাত আছিল। কলিকতাৰ কংগ্রেছো আমি দেখিছিলোঁ। কিন্তু এইবাৰ বম্বে কংগ্রেছে কলিকতাক চেৰ পেলালে। আৰু সকলোতকৈ ভাঙৰ কথা—এই আব্দুল গফাৰ নগৰ পতা হৈছিল, হাবি বন চাফ কৰি, শিল ভাঙি আৰু সেইবোৰ আঁতৰ কৰি, খাল-ডোঙ সমান কৰি বম্বে মহা নগৰীৰ এটা দূৰ প্ৰান্তৰ সাগৰৰ তীৰত। (গৱর্ণমেণ্টে বোলে অভ্যৰ্থনা সমিতিক কংগ্রেছ পাতিবলৈ নগৰত সুবিধাজনক ঠাই ক'তো নিদিলে।) এই বিষয়ত আমাৰ

অসম কংগ্ৰেছৰ পাণ্ডু নগৰলৈ মনত পৰে। অৱশ্যে বম্বেৰ কংগ্ৰেছ নগৰ পাণ্ডু কংগ্ৰেছ নগৰতকৈ বহুত গুণে ডাঙৰ আছিল বুলি লগত কোৱা কথাৰ পৰাই বুজিব পাৰি। ইমান ডাঙৰ কাম কৰাটো সাধাৰণতে অসম্ভৱ যেনেই লাগে। কি অপৰিসীম পৰিশ্ৰম কৰি, কি কৰ্ম্মৰ প্ৰেৰণা লৈ, কি মহৎ উদ্দেশ্যৰ কথা ভাবি বম্বেবাসীয়ে এনে কাৰ্য্য সম্ভৱ কৰি তুলিছিল সেই কথা ভাবিলে বিস্ময় মানিব লাগে। অভ্যৰ্থনা সমিতিৰ সভাপতি মিঃ কে-এফ নৰিমেনে সেই বিষয়ে বহলাই কৈছে। তেখেতে সঁচাকৈয়ে কৈছে—"The construction of the Abdul Gaffar Nagar out of barren rocky wilderness reminds one of fairy tales in which cities sprang up almost over-night thrown np by the genii. Such a magical transformation in real life has only been made possible by the powerful hold which the Congress exercises over the public mind." কংগ্ৰেছৰ প্ৰতি সৰ্ব্বসাধাৰণৰ অপাৰ অনুৰাগেই যে এই কাৰ্য্যৰ মূল, তাত সন্দেহ নাই।

মন কৰিব লগা কথা এই যে খৰচ কৰিও বম্বে কংগ্ৰেছৰ অভ্যৰ্থনা সমিতিৰ হাতত প্ৰায় ২০ হাজাৰ টকা জমা থাকিল। ঘৰত যেতিয়া আমি পোনতে পঢ়িবলৈ পাওঁ যে বম্বে কংগ্ৰেছৰ অভ্যৰ্থনা সমিতিয়ে ৪ হেজাৰ টকীয়া দৰ্শকৰ টিকেতো কৰিছে, তেতিয়া ভাবিছিলোঁ যে এইবোৰ বৃথা আৰম্বৰ—কেইজন দৰ্শকে চাৰি হাজাৰ টকীয়া টিকেট লৈ কংগ্ৰেছ চাব? তাৰ পিছত বম্বে পাই অভ্যৰ্থনা সমিতিৰ খৰচৰে কোব দেখি বুজিলো, খৰচ হোৱা টকা তোলাৰ হেপাইঁতে অভ্যৰ্থনা সমিতিয়ে ইমান গাল মাৰিছে; কিন্তু ক'ত কৃতকাৰ্য্য হ'ব হবলা? কিন্তু কংগ্ৰেছৰ দিনা দেখিলো—তিনি হাজাৰ চাৰি হাজাৰ টকীয়া টিকেটত কংগ্ৰেছ চোৱা দৰ্শকো যথেষ্ট আছে। তেতিয়াই বুজিছিলো, অভ্যৰ্থনা সমিতিৰ কেতিয়াও ঘাটে নপৰে। সেইদৰেই আয়-ব্যয়ৰ আন-বিলাক ক্ষেত্ৰ দেখিলো বম্বেৰ কাৰবাৰ সকলো চৰা। বম্বে বৰ চহকী ঠাই—কলিকতাতকৈ বহুত বেছি চহকী। তাত খোৱা পিন্ধা আৰু থকাৰে ধৰণ (Standard) বৰ উচ্চ আৰু তাত বস্তুৰ দামো বেছি।

প্ৰদৰ্শনী

গধূলি প্ৰদৰ্শনীত সোমালো আৰু প্ৰায় দুঘণ্টা ঘূৰি-পকি সেই প্ৰকাণ্ড অনুষ্ঠানৰ হৰেক ৰকমৰ দোকান-পোহাৰ, আৰ্ট, শিল্প, কৌশল-প্ৰদৰ্শন আদি চাই নয়ন সাৰ্থক কৰিলোঁ। কাশ্মীৰৰপৰা ব্ৰহ্মদেশলৈকে ডাঙৰ সকলো প্ৰদেশৰ আৰু বহুত দেশীয় ৰাজ্যৰ শিল্পৰ দোকান এই প্ৰদৰ্শনীলৈ আহিছিল। অসমৰপৰা অৱশ্যে শ্ৰীযুত লীলাধৰ বৰুৱা আৰু শ্ৰীযুক্ত গোলকচন্দ্ৰ পাঠকৰ পৰিচালনাত অকল অসম সেৱাশ্ৰম খাদী সঙ্ঘৰ কপাহী খাদৰ, এণ্ডি, মুগা প্ৰভৃতিৰ এখন দোকানে এই বিৰাট প্ৰদৰ্শনীত ঠাই লৈ জিলিকি আছিল।

প্ৰদৰ্শনীৰপৰা আহি এমুঠি খাই শুই থাকিলোঁহি। ইফালে সেইদিনা দুপৰৰ পৰা নিখিল ভাৰত কংগ্ৰেছ কমিটী আৰু তাৰ পিছত গধূলিৰ পৰা কংগ্ৰেছৰ বিষয় বাছনি সভা বহি ভাৰতৰ জটিল ৰাজনৈতিক সমস্যা-বিলাকৰ বিষয়ে আলোচনা কৰিবই লাগিছে।

আচল কংগ্ৰেছৰ কথা

কংগ্ৰেছ ৱাৰ্কিং কমিটীয়ে এইবাৰ কংগ্ৰেছে বিচাৰ কৰিব লগীয়া সমস্যাবিলাকৰ ভিতৰত মহাত্মা গান্ধীৰ কংগ্ৰেছ পৰিত্যাগৰ বিষয়টোকে বিষয় বাছনি সভাত প্ৰথমতে উপস্থিত কৰিবলৈ ঠিক কৰি থৈছিল। সেইমতে সেই দিনা বিষয় বাছনি সভাৰ প্ৰথম অধিবেশনতে এই প্ৰশ্নৰ আলোচনা আৰম্ভ হৈছে। তুমুল বাক বিতাণ্ডা আৰু আলেচানা চলিছে। কোনেও ইচ্ছা নকৰে যে মহাত্মা গান্ধীয়ে কংগ্ৰেছ পৰিত্যাগ কৰি যাওক—সিফালে কংগ্ৰেছৰ বাহিৰত তেখেতে দেশৰ কাৰণে যি কামকে নকৰক। আনহাতে মহাত্মাও কংগ্ৰেছ এৰিবলৈ দৃঢ়-প্ৰতিজ্ঞ। তেখেতে নানান যুক্তি দেখুৱাই বিষয় বাছনি সভাক বুজাই দিছে যে তেখেতে কংগ্ৰেছৰপৰা আঁতৰি

যোৱাৰপৰা কংগ্ৰেছৰ একো ক্ষতি নহয়; বৰং তাৰপৰা কংগ্ৰেছৰ ভালহে হ'ব। কংগ্ৰেছৰ ভালৰ কাৰণে তেখেতৰ সদায় চকু থাকিব আৰু টানে মস্কিলে কংগ্ৰেছে তেখেতক সদায় পাব। তেখেতে কংগ্ৰেছলৈ কেতিয়াও ঘূৰি নাহে বুলিও কোৱা নাই,—ইত্যাদি। কংগ্ৰেছ ৱাৰ্কিং কমিটীয়ে কাউন্সিল প্ৰবেশ সমৰ্থন কৰি খোলা পালেমেণ্টেৰি ব'ৰ্ড আৰু সেই সম্পৰ্কত তেওঁলোকে প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক সিদ্ধান্তৰ বিষয়ে গ্ৰহণ কৰা প্ৰস্তাৱৰো আজি আলোচনা হোৱাৰ কথা। চাবলৈ আৰু শুনিবলৈ কেনে ভাল হৈছিল চাগৈ! বিষয় বাছনি সভাৰ সদস্য (নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্যসকলেই বিষয় বাছনি সভাৰো সদস্য) আমাৰ অসমৰ ডেলিগেট এজনো নহওঁ। গতিকে তাত আমাৰ প্ৰবেশ নিষেধ। কিন্তু এই লিখকৰ তাত সোমাবৰ কাৰণে এটা বিশেষ সুবিধা আছিল। এলাহ আৰু অনিচ্ছাৰ কাৰণেই সেই সুযোগ লবৰ কাৰণে চেষ্টা কৰা নহল। পাৰিলে পিছদিনাই সেই সুযোগ গ্ৰহণ কৰিবৰ চেষ্টা কৰিম বুলি শান্ত্বনা ললোঁ।

২৪ তাৰিখে অতি পুৱাতে মিঃ ইউছফ মেহেৰ আলিৰ নেতৃত্বত প্ৰায় ২০০০ স্বেচ্ছাসেৱক আৰু মিছ লীলাৱতী মুন্সীৰ নেতৃত্বত প্ৰায় ২০০ স্বেচ্ছাসেৱিকাৰ কুচ-কাৱাজ দেখি বৰ ভাল লাগিল।

আগৰাতিৰ বিষয় বাছনি সভাত কি হ'ল কি নহল জানিবৰ কাৰণে ব্যগ্ৰভাবে "বম্বে ক্ৰনিকেল" কাকতখন মেলি ললোঁ! দেখিলো, মহাত্মাই কংগ্ৰেছৰপৰা বিদায় লোৱাটো খাতাং হল। বিষয় বাছনি সভাই অতি সন্তৰ্পণে মহাত্মাৰ সিদ্ধান্তত সম্মতি দিছে। এই সম্পৰ্কে হোৱা আলোচনা—কেইবাজনো সদস্যই মহাত্মাৰ প্ৰতি জনোৱা কাতৰ নিবেদন, অতি হৃদয়গ্ৰাহী, অতি মৰ্ম্ম স্পৰ্শী হৈছিল। এই আলোচনাত খং-বেজাৰ, ৰং-ধেমালি, যুক্তি, তৰ্ক—সকলোৰে সমাবেশ হৈছিল। মহাত্মাই সকলোৰো অতি ধৈৰ্য্য সহকাৰে আৰু যুক্তি পূৰ্ণভাবে উৰাই দিবলৈ যত্ন কৰিছে। যাক যেনেকৈ উত্তৰ দিব লাগে, তেখেতে তেনেকৈয়ে দিছে। মহাত্মাই তেখেতৰ বক্তব্য হিন্দীত প্ৰকাশ কৰিবলৈ আৰম্ভ কৰোতেই মাদ্ৰাজ আৰু বঙ্গদেশৰ সদস্যসকলৰ মাজৰ পৰা আবেদন ৰব উঠিল—"মহাত্মাজীয়ে অনুগ্ৰহ কৰি ইংৰাজীত কওক।" মহাত্মাই উত্তৰ দিলে—"সেয়া, মই কংগ্ৰেছ পৰিত্যাগ কৰিব লগাৰ ইও এটা কাৰণ।" সভাত হাহিঁৰ ৰোল উঠিল। এজন চতুৰ সদস্যই মাত লগালে—"সেই দেখি আমি হিন্দী শিকিবলৈ আপোনাক আমাৰ মাজত লাগে।" সভাত আকৌ হাহিঁৰ ৰোল উঠিল। মহাত্মাই উত্তৰ দিলে—"আজি ১৫ বছৰে আপোনালোকে মোৰ পৰা হিন্দী শিকিব নোৱাৰিলে; আজি আৰু মই কি হিন্দী শিকাব পাৰিম?" নেৰা নেপেৰা প্ৰতিনিধিজনে আকৌ কলে—"অলপ দিন থাকক, এইবাৰ জৰুৰ আমাৰ হিন্দী শিকা হ'ব।" আৰু ৰসিক মহাত্মাই উত্তৰ দিলে—"আজি ১৫ বছৰ যি শিক্ষকে আপোনালোকক হিন্দী শিকাবলৈ সমৰ্থ নহল, সেইজন নিশ্চয় ভাল শিক্ষক নহয়। গতিকে সেই শিক্ষকক বিদায় দি আন শিক্ষক বিচৰাটোহে শ্ৰেয়ঃ।" এই দৰেই ধেমেলীয়া কথা কটা-কটি।

তাৰ পিছত ভিন ভিন প্ৰদেশৰ নেতা সকলে মহাত্মাই কংগ্ৰেছ পৰিত্যাগ নকৰিবলৈ কৰা কাতৰ নিবেদন। পঞ্জাবৰ প্ৰতিনিধি মিঃ চাটাৰ্জ্জি আৰু পণ্ডিত মদন মোহন মালব্যৰ সুদীৰ্ঘ মৰ্ম্মস্পৰ্শী নিবেদনেই ইয়াৰ ভিতৰত বিশেষ উল্লেখ যোগ্য। পিছে সেইবোৰ একোৱেই মহাত্মা গান্ধীৰ সিদ্ধান্ত লৰাব নোৱাৰিলে। তেখেত সকলৰ দৰেই মৰ্ম্মস্পৰ্শী ভাবে মহাত্মাই তেখেতৰ সিদ্ধান্ত অপৰিহাৰ্য্য বুলি তাৰ কাৰণ বুজাই দিলে। বাতৰি কাকত পঢ়োতা সকলে নিশ্চয় সেই বিলাক কথা অন্ততঃ কিছু পৰিমাণে জানিবলৈ পাইছে। সেইবিলাক কথাৰ আলোচনা কৰা ইয়াত সম্ভৱ নহয়।

ইয়াৰ পিছত ৱাৰ্কিং কমিটিয়ে কাউন্সিল প্ৰবেশ সমৰ্থন কৰি পালেমেণ্ট গঠন কৰা, আৰু সেই সম্পৰ্কে অনুমোদন কৰা পাৰ্লেমেণ্টেৰি বৰ্ডৰ কাৰ্য্যৰ পদ্ধতি বিষয় বাছনি সভাই অনুমোদন কৰিবৰ কাৰণে ডাঃ আন্সাৰিয়ে প্ৰস্তাৱ দাঙি ধৰে। মিঃ নৰিমেনে ডাঃ আন্সাৰিৰ প্ৰস্তাৱ সমৰ্থন কৰে। সমাজ তন্ত্ৰীদলৰ নেতা স্বামী সম্পূৰ্ণানন্দ, আচাৰ্য্য

নৰেন্দ্ৰদেৱ, মিঃ পুৰুষোত্তম ত্ৰিকমদাস, প্ৰভৃতিয়ে এই প্ৰস্তাৱৰ বিৰোধিতা কৰে। তেওঁলোকে তেওঁলোকৰ আপত্তিৰ সপক্ষে সুন্দৰ যুক্তি দেখুৱাইছিল। পণ্ডিত মদনমোহন মালব্যই উক্ত প্ৰস্তাৱত সংশ্লিষ্ট কংগ্ৰেছ ৱাৰ্কিং কমিটীয়ে প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক সিদ্ধান্ত সম্পৰ্কে দিয়া মতৰ সংশোধন কৰি প্ৰস্তাৱ উপস্থিত কৰে। বেৰাৰৰ নেতা মিঃ আনে প্ৰভৃতিয়ে এই সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰে। বঙ্গৰ মিঃ জে, ছি, গুপ্তইও এই বিষয়ে এটা সংশোধনী প্ৰস্তাৱ দিয়ে। অতি তেজী আৰু জীৱন্ত আলোচনা হৈছিল। কিন্তু শেহত সমাজ তন্ত্ৰীদলৰ আপত্তি আৰু জাতীয় দলৰ (পণ্ডিত মালব্য আৰু মিঃ গুপ্তৰ) সংশোধনী প্ৰস্তাৱ এটাও নৰজিল। ভোটত এই দুয়োদল ঘাটিল, পণ্ডিত মালব্যৰ প্ৰস্তাৱৰ সপক্ষে মাত্ৰ ১২ জনে ভোট দিছিল ; কিন্তু বিপক্ষে দিছিল বোধ হয় ১১২ জনে। সমাজতন্ত্ৰী দল আৰু জাতীয় দল দুয়োপক্ষৰপৰা সভাপতি বাবু ৰাজেন্দ্ৰপ্ৰসাদক জনাই থোৱা যে তেওঁলোকে তেওঁলোকৰ নিজ নিজ প্ৰস্তাৱ পুনৰ কংগ্ৰেছৰ মুকলি অধিবেশনত দাঙি ধৰিব! যি নহওক সেই সুন্দৰ আলোচনা তেন্তে আকৌ হ'ব আৰু দেখিবলৈ পাম—এই আশাতে সান্ত্বনা লভিলোঁ।

সেইদিনা ২ আবেলি বজাৰপৰা আকৌ বিষয় বাছনি সভা বহিব। চাবৰ কাৰণে (অৱশ্যে পইছা নিদিয়াকৈ) অভ্যৰ্থনা সমিতিৰ জেনেৰেল ছেক্ৰেটৰি মিঃ পাটিলৰপৰা এখন সংবাদ পত্ৰৰ প্ৰতিনিধিৰ 'পাছ' ("অসমীয়াৰ" প্ৰতিনিধি হিছাপে) আদায় কৰোঁ বুলি ভাবিলোঁ। কিন্তু লগৰীয়াসকলৰ বম্বে চহৰলৈ যাবৰ কাৰণে লৰালৰিৰ কাৰণে (সেইদিনা বম্বেত শ্ৰীমতী কউৰ আৰু ছৰ্দ্দাৰ জামায়েৎ সিঙৰ নিমন্ত্ৰণ আছিল—অসমৰ কেউজন ডেলিগেটে তেওঁলোকৰ তাত থাবৰ কাৰণে) সি হৈ নুঠিল। বম্বেত থাই-বই চহৰত ঘূৰি-পকি কংগ্ৰেছ নগৰলৈ ঘূৰোঁতেই ৫ বাজিবৰ হ'ল। আন কেজন আনফালে গল। মই পোনে পোনেই বিষয় বাছনি সভাৰ ঘৰৰ ফালে খোজ ললোঁ। কিবা উপায়েৰে অলপ চাবগৈ পাৰোনে—দুৱাৰত খুন্দিয়াই চাওঁগৈচোন। দুৱৰী-প্ৰহৰী সকলক অলপ ভুৱা দিও বিষয় বাছনি সভাৰ ভিতৰ সোমালোঁ। ভাৰতৰ প্ৰায় সকলো বিখ্যাত নেতাক একে ঠাইতে দেখি বৰ ভাল লাগিল। নাই মাত্ৰ লেখত লবলগীয়া ডাঃ কিচলু, ডাঃ আলম, মিঃ সত্যমূৰ্ত্তি, শ্ৰীযুত যমুনালাল বাজাজ, মিঃ অভয়ঙ্কৰ (এতিয়া স্বৰ্গগত) আৰু মিঃ যমুনাদাস মেহটা। মই সোমোৱাৰ আগতে দুটা প্ৰস্তাৱৰ আলোচনা হৈ গৃহীত হৈ গৈছে ; এটা সভাপতিৰ আসনৰপৰা দাঙিংৰা নেহৰু পৰিয়ালৰ দুঃখ দুৰ্দ্দশাত সমবেদনা প্ৰকাশ কৰি তেওঁলোকৰ আশু মঙ্গল কামনা কৰা, আৰু আনটো মহাত্মা গান্ধীয়ে দাঙি ধৰা নিখিল ভাৰত গাৱঁলীয়া শিল্প সঙ্ঘ স্থাপন বিষয়ক প্ৰস্তাৱ।

তাৰ পিছত শ্ৰীযুতা সৰোজিনী নাইডুৱে যোৱা আইন অমান্য অন্দোলনত দেশবাসীৰ অসাধাৰণ স্বাৰ্থত্যাগৰ কাৰণে দেশবাসী আৰু কংগ্ৰেছ কৰ্ম্মীসকলৰ প্ৰশংসা কৰি আৰু অহিংস অসহযোগ আৰু আইন অমান্য আন্দোলনত কংগ্ৰেছৰ অবিচলিত বিশ্বাস আছে বুলি ঘোষণা কৰি এটা প্ৰস্তাৱ দাঙি ধৰিছে। আগতে তেওঁ কিমান সময় কৈছে ক'ব নোৱাৰোঁ আমি দেখোতেও তেওঁ অতি ওজস্বিনী ভাষাত প্ৰায় ১৫ মিনিট মান অনৰ্গল বক্তৃতা দিছে। বক্তৃতা প্ৰসঙ্গত মহাত্মা গান্ধীৰ প্ৰতি দেশবাসীৰ সন্মান আৰু কৃতজ্ঞতা, দেশকৰ্ম্মী সকলৰ অসাধাৰণ বীৰত্ব আৰু স্বাৰ্থত্যাগ—লাঠিৰ কোব, বন্দুকৰ গুলী পৰ্য্যন্ত তেওঁলোকে বুকুত পাতি লোৱাৰ কথা, বৃটিঃশ গৱৰ্ণমেণ্টৰ দমন নীতিৰ ব্যৰ্থতা, আইন অমান্য আন্দোলন যে অকৃতকাৰ্য্য হোৱা নাই, মাত্ৰ অৱস্থা বুজি কাৰ্য্যৰ সুবিধাৰ কাৰণে তাক প্ৰত্যাহাৰ কৰা হৈছে—এই বিলাক কথাত নাইডুৱে খুব জোৰ দিছে। শ্ৰীযুতা নাইডুৰ বক্তৃতা সদায় শুনিব লগীয়া।

পঞ্জাব নেতা ছৰ্দ্দাৰ শাৰ্দ্দুল সিঙে কেই মিনিটমান তেজস্বী বক্তৃতা দি শ্ৰীমতী নাইডুৰ প্ৰস্তাৱ সমৰ্থন কৰাৰ পিছত শ্ৰীযুত পুৰুষোত্তমদাস তাণ্ডনে এই প্ৰস্তাৱৰ বিপক্ষতা কৰিবলৈ থিয় হল। যুক্ত প্ৰদেশৰ বিখ্যাত নেতা পুৰুষোত্তমদাস তাণ্ডন এজন অতি স্পষ্টবাদী কৰ্ম্মী আৰু পোনপটিয়া প্ৰকৃতিৰ লোক। নিয়মীয়া ওখ ডাঙৰ, মিঠা

বৰণীয়া, সৰল—সৰলতকৈ জধলাহে বুলিব পাৰি—চকুত তীব্ৰ জ্যোতিৰ এই মানুহজনে যেতিয়া কথা কবলৈ ধৰিলে, সভাৰ প্ৰায় সকলো মানুহ নিস্তব্ধ। তাণ্ডনে প্ৰথমতে নাইডুৰ প্ৰস্তাৱটোৰ ভাষাৰ দোষ, তাৰ পিছত প্ৰস্তাৱটোত কোৱা কথাৰ অযৌক্তিকতা আৰু তৃতীয়তঃ নাইডুৱে তেওঁৰ বক্তৃতা প্ৰসঙ্গত কৰা কিছুমান মন্তব্যৰ অসাৰ্থকতা প্ৰতিপন্ন কৰিবলৈ বক্তৃতা দিবলৈ ধৰিলে। দুই এজনে মাজে মাজে তেওঁৰ কথাত বাধা দি একোটা মন্তব্য দিবলৈ কিম্বা তেওঁ বক্তৃতাত তোলা কোনোটো কথাৰ সমিধান দিবলৈ চেষ্টা কৰিছে ; কিন্তু তাণ্ডন সেইবোৰৰ একোতে বিচলিত হোৱা নাই। আইন অমান্য আন্দোলনত নেতাসকলে, কংগ্ৰেছ কৰ্ম্মী সকলে, কিবা দেশবাসীয়ে যোগ দিয়াৰ বাবে তেওঁলোকক ধন্যবাদ দিব বা প্ৰশংসা কৰিবলৈ একো



আবদুল গফুৰ নগৰৰ তাৰণ দ্বাৰ

নাই। তেওঁলোকে তেওঁলোকৰ কৰ্ত্তব্য কৰিছে মাথোন। আৰু অহিংসা নীতিত যে সৰহভাগ কংগ্ৰেছ কৰ্ম্মীৰে প্ৰকৃততে আস্থা নাই, তেওঁলোকে মাত্ৰ ইয়াক এটা উপায় বা কৌশল হিছাপেহে গ্ৰহণ কৰিছে—এই দুটা কথাত তেখেতে বিশেষকৈ জোৰ দিছে। তাণ্ডনৰ কথাই বহুতক প্ৰত্যয় নিয়ালে। আৰু কেইজনমানৰ বক্তৃতা হল কিন্তু তাণ্ডনৰ কথাইহে এতিয়ালৈকে সৰহ ভাগৰ মনত লাগি আছে। এনেতে শ্ৰীমতী নাইডুৱে উত্তৰ দিবলৈ আৰু তেওঁৰ প্ৰস্তাৱৰ সপক্ষে শেষ ওকালতি কৰিবলৈ উঠিল। তেওঁ আকৌ সেই হাঁহি ধেমালি, নৰম-গৰম চুপতি চতুৰালি সমাবেশ কৰি আথৈ ফুটা মুখে বক্তৃতাদি সৰহীয়া দলক আকৌ তেওঁৰ ফালে ঘূৰাই লৈ গ'ল। আগেয়েই কৈছো—কথাত নাইডুক কোনে পাৰিব? এঠাইত তাণ্ডনে নাইডুৰ ভাষা ৰুচি বিগৰ্হিত (Vulgar) বুলিছিল। নাইডুৱে তাৰ উত্তৰ দিওঁতে কৈছিল—হলেও হব পাৰে, সভাই সেইটোত নধৰে বুলি মই ভালকৈ জানো, মই আনকো অলপ অৰুচিকৰ কাম কৰিবলৈ দিবলৈ সাজু আছো। দেশকৰ্ম্মী সকলে সেইখিনি অধিকাৰ পোৱা উচিত।" (সভাত হৰ্ষধ্বনি)—এই দৰেই সকলো কথা। সেই বোৰৰ আলোচনা অসম্ভৱ। মুঠতে নাইডু তাণ্ডনৰ এই তৰ্ক যুদ্ধ বিষয় বাছনি সভাৰ কেউদিনৰ কাৰ্য্যৰ ভিতৰত এটি শুনিব লগীয়া ঘটনা হৈছিল। ভোটত নাইডু প্ৰায় কুৰিটা ভোটৰ জোৰত জিকিল। ইয়াৰ পিছত ২৫ অক্টোবৰলৈ বিষয়বাছনি সভা স্থগিত থাকে। ২৫ তাৰিখৰ সভাত (বিষয় বাছনি) মৌলানা আবুল কালাম আজাদে কংগ্ৰেছৰ আগৰ নিয়মাবলীত থকা "শান্তিপূৰ্ণ আৰু বৈধ" উপায়েৰে স্বৰাজ লাভ উদ্দেশ্য বোলাৰ ঠাইত ৱাৰ্কিং কমিটীয়ে ঠিক কৰা "অহিংস আৰু সত্য" শব্দ দুটা সুমাবলৈ কৰা প্ৰস্তাৱ অগ্ৰাহ্য হয়। এইটো নৰজাত কংগ্ৰেছ ছছিয়েলিষ্ট দলৰ পক্ষে এটা ডাঙৰ জয়। বাকীবিলাক প্ৰস্তাৱৰ আলোচনাতো কংগ্ৰেছ ছছিয়েলিষ্ট দলৰ প্ৰভাৱ ভালকৈ পৰিলক্ষিত হৈছিল। এইদিনা কংগ্ৰেছ-প্ৰদৰ্শনীখন পৰিচালনা কৰাৰ ভাৰ ভৱিষ্যতে নিখিল ভাৰত কাটনি সঙ্ঘৰ ওপৰত দিবলৈ বুলি ডাঃ পট্টভি সীতাৰমিয়াই কৰা প্ৰস্তাৱৰ আলোচনাত কংগ্ৰেছ ছছিয়েলিষ্টসকলক নীতিমূলক বিৰোধিতাৰ বাহিৰেও বঙ্গ আৰু অন্ধ্ৰৰ প্ৰতিনিধি কেইজনমানে (ডাঃ নলীনাক্ষ সান্যাল, শ্ৰীযুত বসন্ত মজুমদাৰ আৰু অধ্যাপক ৰঙ্গিয়া প্ৰভৃতি) নিখিল ভাৰত কাটনি সঙ্ঘৰ বিৰুদ্ধে কিছুমান তীব্ৰ মন্তব্য প্ৰকাশ কৰে আৰু অভিযোগ আনে। ছৰ্দ্দাৰ শাৰ্দ্দুল সিং, কংগ্ৰেছ প্ৰেছিডেণ্ট বাবু

ৰাজেন্দ্ৰপ্ৰসাদ, ৰাজা গোপালচাৰি, আচাৰ্য্য কৃপালনি, ডাঃ সীতাৰামিয়া, প্ৰভৃতিয়ে নিখিল ভাৰত কাটনি সঙ্ঘৰ সপক্ষে ওকালতি কৰিছিল। শেহত প্ৰস্তাৱটো ভোটত গৃহীত হল।

সেইদিনা (২৫ তাৰিখে) কংগ্ৰেছ নগৰত কেইবাখনো ডাঙৰ সম্মিলনী বহিছিল। তাৰ ভিতৰত কলিকতাৰ বিখ্যাত সাংবাদিক বাবু ৰামানন্দ চাটাৰ্জ্জিৰ সভাপতিত্বত বহা নিখিল ভাৰত সাম্প্ৰদায়িক সিদ্ধান্ত বিৰোধী সম্মিলনেই প্ৰধান। বম্বে গৱৰ্ণমেণ্টৰ চাবেক মন্ত্ৰী স্যাৰ গোবিন্দ প্ৰধান এই সম্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। মহাৰাষ্ট্ৰ নেতা কেলকাৰ, বিখ্যাত ট্ৰেড ইউনিয়নিষ্ট মিঃ যমুনাদাস মেহটা, বেৰাৰ নেতা চাবেক অস্থায়ী কংগ্ৰেছ সভাপতি মিঃ আনে, প্ৰবীণ দেশ-নেতা পণ্ডিত মদনমোহন মালব্য, বঙ্গৰ নেতা মিঃ জে ছি গুপ্ত প্ৰভৃতি বহুত বিশিষ্ট লোক ইয়াত উপস্থিত আছিল। আবেলি শ্ৰীযুত পূৰ্ণচন্দ্ৰ শৰ্ম্মা দেৱৰ সৈতে বাহিৰৰপৰা এই সম্মিলনীত এভুমুকি মাৰি আমি আকৌ বম্বে চহৰলৈ গলোগৈ। আমি ভুমুকিয়াওতে বঙ্গ-নেতা মিঃ জে ছি গুপ্তই বক্তৃতা দি আছিল।

ৰাতি বম্বে চহৰৰপৰা ঘূৰি আহি ডেলিগেটছ কেম্পত দুই-চাৰিজন প্ৰতিনিধিৰ লগত চিনা পৰিচয় আৰু কথা-বাৰ্ত্তা হৈ বিচনাত পৰিলোঁগৈ।

২৬ অক্টোবৰ কংগ্ৰেছৰ মুকলি অবিধবেশনৰ দিন। সেইদিনা পুৱা কংগ্ৰেছ প্ৰাঙ্গনত প্ৰেছিডেণ্ট বাবু ৰাজেন্দ্ৰ প্ৰসাদৰ দ্বাৰা জাতীয় পতাকা উত্তোলন উৎসব আৰু সেই প্ৰসঙ্গত তেখেতৰ চমু কিন্তু সুদৃঢ় আৰু সাৰগৰ্ভ কথাকিষাৰ শুনি বৰ ভাল লাগিল। সীমান্ত সিংহ গফুৰ খাঁ, ছৰ্দ্দাৰ বল্লভ ভাই, ডাঃ আন্সাৰি প্ৰভৃতি নেতাসকল উপস্থিত আছিল। পুৰুষ ভলণ্টিয়াৰ আৰু মহিলা ভলণ্টিয়াৰ সকলৰ 'পেৰেড' চাব লগা হৈছিল।

আবেলি আকৌ নিখিল ভাৰত কংগ্ৰেছ কমিটী। "অসমীয়া"ৰ পাছ এখন লৈ সেইদিনা গুৰিৰেপৰা উক্ত সভাৰ কাৰ্য্যাৱলী লক্ষ্য কৰিম বুলি ভাবিছিলো যদিও "দুষ্ট বন্ধু" শ্ৰীযুত গোলোকচন্দ্ৰ পাঠকে সেই কামত হস্তক্ষেপ কৰি সেইদিনা তেও চাব বুলি 'পাছ' আনিলেগৈ। কি চালে, কি দেখিলে ক'ব নোৱৰোঁ। গধূলি ৬ বজাত কংগ্ৰেছৰ মুকলি অধিবেশনত ডেলিগেটৰ ঠাইত বহিলোঁগৈ।

কংগ্ৰেছৰ মুকলি অধিবেশন—প্ৰথম দিন

৬-৪৫ মিনিটৰ সময়ত বেণ্ডৰ বাদ্যধ্বনিয়ে সভাপতি আৰু নেতৃবৃন্দৰ সভাস্থললৈ আগমনৰ জাননী দিয়ে। তেখেতসকলৰ দৰ্শন লাভ কৰিবলৈ প্ৰায় দু হেজাৰ প্ৰতিনিধি আৰু ৫০ হেজাৰ দৰ্শকৰ সেই বিৰাট জনমণ্ডলী উদগ্ৰীৱ হৈ উঠে। মুহূৰ্ত্তৰ ভিতৰতে নেতৃবৃন্দক লৈ কংগ্ৰেছ ভলণ্টিয়াৰ দলৰ বেণ্ড সভাস্থলীৰ ভিতৰ সোমায়হি আৰু নেতাসকলে তেখেতসকলৰ কাৰণে যুগুত কৰি থোৱা প্ৰকাণ্ড মণ্ডপৰ ওপৰত আসন গ্ৰহণ কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি মিঃ নৰিমেনে তেখেতৰ অভিভাষণ পাঠ আৰম্ভ কৰে। তেখেতৰ অভিভাষণত বম্বেত সেই কংগ্ৰেছ অবিবেশন পাতিবৰ কাৰণে অভ্যৰ্থনা সমিতি কিমান অন্তৰায়ৰ সম্মুখীন হব লগা হৈছে, দেশৰ বৰ্ত্তমান ৰাজনৈতিক অৱস্থা, কংগ্ৰেছৰ উপস্থিত কৰ্ত্তব্য, পণ্ডিত জহৰৰলাল আৰু তেখেতৰ পৰিয়ালৰ প্ৰতি সম্বৰ্দ্ধনা আদি কথাৰ সাধাৰণভাবে বৰ্ণনা কৰা হৈছিল। সেই কথা সকলোৱে জানে আৰু বহলাই নকওঁ। তেখেতৰ অভিভাষণ-পাঠ জনমণ্ডলীয়ে বৰ আগ্ৰহেৰে শুনা যেন দেখা নগৈছিল। দুবাৰ মাত্ৰ তেওঁৰ বক্তৃতাৰ মাজত শ্ৰোতাসকলে মাত লগাইছিল—এবাৰ তেখেতে পণ্ডিত জৱহৰলালৰ প্ৰতি অভিনন্দন সূচক মন্তব্য প্ৰকাশ কৰোতে আনন্দ প্ৰকাশ কৰি, আৰু আনবাৰ তেখেতে প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক সিদ্ধান্তৰ বিষয়ে ৱাৰ্কিং কমিটিয়ে যি নীতি অবলম্বন কৰিছে, তাকে গ্ৰহণ কৰিবলৈ পণ্ডিত মালব্য আৰু মিঃ আনেক অনুৰোধ কৰাৰ পিছত তেনে নকৰিলে তেখেত সকলক নিশ্চয় কংগ্ৰেছ বিদ্ৰোহী (rebel) বোলা যাব বুলি কৰা মন্তব্যৰ প্ৰতিবাদ কৰি, (No, No, Shame, shame বুলি)। অভ্যৰ্থনা সমিতিৰ চেয়াৰমেনৰ মুখত এই পিছৰ কথাষাৰ অৱশ্যে আমাৰ মনতো ভাল নালাগিছিল।

তাৰ পিছৰ সভাপতি বাবু ৰাজেন্দ্ৰপ্ৰসাদৰ অভিভাষণ পাঠ। বম্বে কংগ্ৰেছৰ নিচিনা গুৰুত্বপূৰ্ণ অধিবেশনৰ কাৰ্য্য পৰিচালনাৰ কাৰণে বাবু ৰাজেন্দ্ৰ প্ৰসাদ যোগ্য সভাপতিয়েই হৈছিল। সভাপতিৰ অভিভাষণত কি আছিল সেই বিষয়েও সকলোৱে জানিবলৈ পাইছে। এই অভিভাষণত কংগ্ৰেছৰ ভবিষ্যত গঠন মূলক কাৰ্য্যপদ্ধতি কিম্বা কাউন্সিল এছেমব্লিৰ কংগ্ৰেছী সকলৰ প্ৰতি কাৰ্য্যৰ কোনো স্পষ্ট নিৰ্দ্দেশ নাছিল যদিও কংগ্ৰেছ আৰু দেশৰ আগত সমুপস্থিত অন্যান্য নানান সমস্যাৰ বিষয়ে আলোচনা আৰু অভিমত ব্যক্ত কৰা হৈছিল; আৰু অভিভাষণখন যথেষ্ট দীঘলীয়াই হৈছিল। এই অভিভাষণ সম্পূৰ্ণৰূপে শুনিবলৈ সেই বিৰাট জনতা সাজু আছিল। কিন্তু কাৰ্য্যদক্ষ আৰু আড়ম্বৰবিহীন ৰাজেন্দ্ৰ প্ৰসাদে দেখিলে যে এই অভিভাষণ পূৰণকৈ পাঠ কৰিবলৈ হলে বহুতখিনি সময় প্ৰায় অবাবত যাব। অভিভাষণৰ একোটা কপি প্ৰতিনিধি-সকলৰ বাহিৰেও বহুত দৰ্শকেও পাইছে। ইফালে কংগ্ৰেছত এইবাৰ ইমানবিলাক গুৰুতৰ সমস্যাৰ বিষয়ে দীঘলীয়া আলোচনা কৰিব লগা আছে, বিশেষ ক্ষীপ্ৰতাৰে কাৰ্য্য পৰিচালনা নকৰিলে এইবাৰ কংগ্ৰেছৰ অধিবেশন তিনিদিনত শেষ হব নোৱাৰে। আৰু এদিন পলম হোৱা মানেও অভ্যৰ্থনাসমিতিৰ অন্ততঃ দহ হেজাৰ টকা ওপৰঞ্চি খৰচ আৰু প্ৰতিনিধিসকলৰো সময় আৰু অৰ্থ ব্যয় আৰু নানান অসুবিধা। গতিকে তেখেতে তেখেতৰ অভিভাষণৰ পৰা কেই মিনিটমান লৰালৰিকৈ মাজে মাজে অলপ পঢ়ি শুনাই সেই কাৰ্য্যৰ সামৰণি মাৰে আৰু কংগ্ৰেছৰ অধিবেশনত প্ৰথম দিনা প্ৰস্তাৱবিলাকৰ আলোচনা নহয় যদিও ডাঃ আন্সাৰিক কাউন্সিল প্ৰবেশ আৰু পাৰ্লামেণ্টেৰি বৰ্ড সম্পৰ্কীয় প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰে। ৰাজেন্দ্ৰৰ অভিভাষণ পাঠ সকলোৱে অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণতকৈ বেছি ধৈৰ্য্যসহকাৰে শুনিছিল আৰু কেইবাবাৰো তেখেতক জয়ধ্বনিৰে অভিনন্দিত কৰিছিল।



নিখিল ভাৰত খাদি প্ৰদৰ্শনীৰ উদ্বোধনৰ উপলক্ষে শ্ৰীযুতা সৰোজিনী নাইডুই আবদুল গফুৰ খাঁক মালা পিন্ধাইছে।

ডাঃ আন্সাৰিয়ে বক্তৃতা মঞ্চলৈ আহি উক্ত প্ৰস্তাৱ দাঙি ধৰি বক্তৃতা দিবলৈ ধৰিলে। ডাঃ আন্সাৰিৰ বক্তৃতা আমাৰ মনত অতি নীৰস, নিস্তেজ আৰু যুক্তিহীন যেন লাগিল। তেখেতৰ বক্তৃতা কাকতে-পত্ৰই পাঠক সকলে নিশ্চয় পঢ়িবলৈ পাইছে; গতিকে সেই বিষয়ে বহলাই কোৱা নিষ্প্ৰয়োজন। কবলৈ গলে সেই "অফিছিয়েল" কংগ্ৰেছৰ সমকৰ্থ জাতীয়তাবাদী কাকতবিলাকে ডাঃ আন্সাৰিৰ বক্তৃতা প্ৰকাশ কৰোঁতে বহুতখিনি ৰহণহে দি তেনেকুৱা কৰি দেখুৱাইছে। শাসন-তন্ত্ৰ নিয়ন্ত্ৰণ, পৰিষদ বা "কনষ্টিটিউয়েণ্ট এছেমব্লি" কথাষাৰৰ ওপৰতে তেখেতে বেছিকৈ জোৰ দিছে। অতি সাধাৰণ ধৰণেৰে আন্সাৰি ছাহাবে উৰ্দ্দূত বক্তৃতা দি বলৈ ধৰিলে। উৰ্দ্দূ বুজিব নোৱাৰি কেইবাফালৰোপৰা আপত্তি উঠিল—"ডাঃ আন্সাৰি ছাহেব! অনুগ্ৰহ কৰি ভাল হিন্দীত কওক; নহলে ইংৰাজীতে কওক।" আন্সাৰি উত্তৰ দিলে—"বাৰু, মই সম্প্ৰতি উৰ্দ্দূতে কৈ লওঁ; পিছত ইংৰাজীত বুজাই দিম। কিন্তু উৰ্দ্দূত তেখেতৰ বক্তৃতা সমাপ্ত কৰি যেতিয়া তেখেতে সেই প্ৰতিশ্ৰুতি পৰিত্যাগ কৰি মণ্ডপৰপৰা নামি আহিল, তেতিয়া প্ৰতিনিধি সকলৰ পক্ষৰপৰা প্ৰতিবাদ হ'ল আৰু প্ৰেচিডেণ্ট বাবু ৰাজেন্দ্ৰপ্ৰসাদে তেওঁলোকক শান্ত্বনা দি কলে—"ডাঃ আন্সাৰিৰ প্ৰস্তাৱ

সমৰ্থন কৰিবলৈ মিঃ নৰিমেন যাব লাগিছে ; তেখেতে প্ৰস্তাৱটোৰ কথা ভালকৈ বুজাই দিব।"

মিঃ নৰিমেন আহি ডাঃ আন্সাৰিৰ (অৰ্থাৎ ৱাৰ্কিং কমিটীৰ) প্ৰস্তাৱ সমৰ্থন কৰি ইংৰাজীত বক্তৃতা দিব খোজোতেই প্ৰতিনিধিসকলৰ মাজৰপৰা "হিন্দী" "হিন্দী" ৰব উঠিল আৰু মিঃ নৰিমেনে অগত্যা বাধ্য হৈ পিছত দু-আষাৰ ইংৰাজীতো কবৰ অভিপ্ৰায় জনাই ভগা-ছিগা হিন্দীতে কেই মিনিটমান বক্তৃতা দি গুচি গল। ইংৰাজীতো ক'ব বুলি আশা দিয়াৰ কথা তেওঁ পাহৰিলেই। নৰিমেনৰ বক্তৃতাত ডাঃ আন্সাৰিতকৈ দুই এটা নতুন যুক্তি আছিল আৰু তেওঁ কথাবোৰ ডাঠি কৈছিল।

কোৱা বাহুল্য ডাঃ আন্সাৰি আৰু মিঃ নৰিমেন দুয়ো তেখেত সকলৰ বক্তৃতা প্ৰসঙ্গত কংগ্ৰেছ ছছিয়েলিষ্ট দলৰ পক্ষৰপৰা যে সেই প্ৰস্তাৱৰ বিৰুদ্ধ-প্ৰস্তাৱ আহিব আৰু পণ্ডিত মালব্যজীয়ে উক্ত প্ৰস্তাৱত ৱাৰ্কিং কমিটিয়ে প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক সম্পৰ্কে গ্ৰহণ কৰা নীতিৰ বিষয়ে সংশোধনী প্ৰস্তাৱ দিব, সেই কথাবো আগ জাননী দি তাৰ বিৰুদ্ধেও কিছু যুক্তি দিছিল।

ইয়াৰ পিছত সভাপতিয়ে পণ্ডিত মালব্যজীৰ সাম্প্ৰদায়িক সিদ্ধান্ত সম্পৰ্কে তেখেতৰ সংশোধনী প্ৰস্তাৱ দাঙি ধৰিবলৈ অনুৰোধ কৰিলে। তেতিয়া ৰাতি প্ৰায় ১০ বাজিছিল। ইমান ৰাতি বৃদ্ধ পণ্ডিতজীক বক্তৃতা দিবলৈ লগোৱাত এদল প্ৰতিনিধিয়ে মনতে বেজাৰে পাইছিল। তেওঁলোক সেই দিনালৈ সভাৰ কাৰ্য্য সিমানতে শেষ কৰাৰ কিম্বা তৰুণ কংগ্ৰেছ ছছিয়েলিষ্ট দলৰ বিৰুদ্ধ মূলক বক্তৃতা শুনাৰ পক্ষপাতী আছিল।

চাৰিওফালৰপৰা হৰ্ষধ্বনিৰ মাজত পণ্ডিত মালব্যজী মণ্ডপৰ ওপৰত উঠিলগৈ. আৰু তেখেতৰ সংশোধনী প্ৰস্তাৱৰ সপক্ষে ১ ঘণ্টা ১০ মিনিট অনৰ্গল সুমধুৰ হিন্দীত বক্তৃতা দি সকলোকে তেখেতৰ সংশোধনী প্ৰস্তাৱটো দিয়াৰ কাৰণ আৰু তাৰ উদ্দেশ্য, সাম্প্ৰদায়িক সিদ্ধান্তৰ স্বৰূপ আৰু গুৰুত্ব, কংগ্ৰেছৰ লগত তেখেত আৰু তেখেতৰ দলৰ মতানৈক্যৰ কাৰণ প্ৰভৃতি সুন্দৰকৈ বুজাই দিলে। দুখৰ বিষয়. অন্যান্য নেতাসকলৰ বক্তৃতাবিলাকৰ বাহুল্য বিৱৰণ প্ৰকাশ পোৱাৰ দৰে পণ্ডিত মালব্যৰ এই বক্তৃতা সম্পূৰ্ণৰূপে কোনো কাকতত প্ৰকাশ হোৱা আমি নেদেখিলো। অথচ পণ্ডিত মালব্যজীৰ এই বক্তৃতা এইবাৰ কংগ্ৰেছৰ অধিবেশনত হোৱা সকলো বক্তৃতাতকৈ শ্ৰেয়ঃ বুলি তেখেতৰ বিপক্ষ দলৰ অনেকে মুক্তকণ্ঠে স্বীকাৰ কৰিছে। ৱাৰ্কিং কমিটীয়ে প্ৰস্তাৱ কৰা 'কনষ্টিউয়েণ্ট এছেমব্লি' গঠিত হোৱা বিষয়ে অনিশ্চয়তা, আৰু কনষ্টিটিউয়েণ্ট এছেমব্লি আহ্বান কৰিলেও প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক সিদ্ধান্ত এটা সম্পূৰ্ণ বেলেগ বিষয় হিছাপে পৰিগণিত হৈ তাৰ সংশোধনত তেনে এছেমব্লিৰ হাত নথকাৰ কথা, কনষ্টিটিউয়েণ্ট এছেমব্লিয়েও এই সিদ্ধান্তৰ সংশোধন কৰাত সাম্প্ৰদায়িক সৰহভাগ মুছলমানৰ বিৰোধিতা, মুছলমান নেতাসকলৰ মতি গতি ৱাৰ্কিং কমিটীয়ে বৰ্ত্তমান অৱলম্বন কৰা সাম্প্ৰদায়িক সিদ্ধান্ত বিষয়ক 'না গ্ৰহণ, না বৰ্জ্জন' নীতি কংগ্ৰেছৰ যোৱা ডেৰকুৰি বছৰে অৱলম্বিত নীতিৰ বিৰুদ্ধে যোৱা, ৱাৰ্কিং কমিটীৰ প্ৰস্তাৱটোৰে কথাৰ সামঞ্জস্য-বিহীনতা, মহাত্মা গান্ধীয়ে লণ্ডনৰ ঘূৰণীয়া মেজ মেলত সাম্প্ৰদায়িক সমস্যাৰ বিষয়ে দিয়া স্পষ্ট অভিমতৰ এই প্ৰস্তাৱে বিৰোধিতা কৰা প্ৰভৃতি নানান যুক্তি পণ্ডিতজীয়ে তন্ন তন্নকৈ প্ৰতিনিধি সকলৰ আগত দাঙি ধৰে আৰু তেখেত সকলক সাম্প্ৰদায়িক সিদ্ধান্ত স্পষ্টভাবে অগ্ৰাহ্য কৰিবলৈ অনুৰোধ জনায়।

বেৰাৰৰ নেতা, ভূতপূৰ্ব্ব অস্থায়ী কংগ্ৰেছ সভাপতি মিঃ আনেই পণ্ডিতজীৰ সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰে। সাম্প্ৰদায়িক সিদ্ধান্ত সম্পৰ্কে ৱাৰ্কিং কমিটীৰ অস্পষ্ট প্ৰস্তাৱ নীতিয়ে দেশত আৰু কংগ্ৰেছৰ ভিতৰত দলাদলিৰ সৃষ্টি কৰিছে বুলি তেখেতে আক্ষেপ কৰে আৰু সকলো প্ৰকাৰে জাতীয়তা আৰু উন্নতিৰ পৰিপন্থী এই সাম্প্ৰদায়িক সিদ্ধান্তক অগ্ৰাহ্য কৰিবলৈ আৰু ইয়াৰ বিৰুদ্ধে দেশৰ প্ৰৱলভাবে আন্দোলন কৰিবলৈ তেখেতে কংগ্ৰেছক অনুৰোধ জনায়। মিঃ আনেৰ বক্তৃতাৰ পিছত (তেতিয়া ৰাতি প্ৰায় ১১॥) সেই ৰাতিৰ কাৰণে সভাৰ কাৰ্য্য স্থগিত থাকে।

দ্বিতীয় দিনৰ অধিবেশন

পিছ দিনাৰ (২৭ তাৰিখে) অধিবশনত ডাঃ আন্সাৰিৰ প্ৰস্তাৱৰ সপক্ষে আৰু বিপক্ষে কেইবাজনেও বক্তৃতা দিলে। আগদিনৰ পণ্ডিত মালব্যজীৰ সংশোধনী প্ৰস্তাৱৰ উপৰিও সেইদিনা কংগ্ৰেছ ছছিয়েলিষ্ট দলৰপৰা গোটেই কাউন্সিল-প্ৰবেশৰ কথাটোকে আক্ৰমণ কৰি আচাৰ্য্য নৰেন্দ্ৰদেৱে প্ৰস্তাৱ সমৰ্থন কৰি ডাঃ আন্সাৰিৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ ধৰিলে। ছছিয়েলিষ্ট দলে বিপক্ষতা কৰাৰ যথেষ্ট যুক্তি আছিল আৰু তেওঁলোকে যিমান পাৰে নিৰ্ভীকভাবে আৰু তেজস্বীভাবে তেওঁলোকৰ বক্তব্য দাঙি ধৰিছিল। আচাৰ্য্য নৰেন্দ্ৰদেৱ, স্বামী সম্পূৰ্ণানন্দ, মিঃ সিদ্ধ, মিঃ মাছানি, মিঃ পুৰোষোত্তম ত্ৰিকমদাস, শ্ৰীমতী কমলাদেৱী চট্টোপাধ্যায়—এই প্ৰত্যেক জনেই সুন্দৰ বক্তা, আন্তৰিকতাপূৰ্ণ প্ৰতিভাশালী লোক। কিন্তু পণ্ডিত মালব্যৰ সংশোধনী প্ৰস্তাৱৰ বিষয়ক আলোচনাই ছছিয়েলিষ্ট দলৰ এই বিৰোধিতাকো তল পেলালে। সকলোৰে ধাউতি হল—সাম্প্ৰদায়িক সিদ্ধান্ত বিষয়ক আলোচনা আৰু তাৰ ফলাফললৈ। ৱাৰ্কিং কমিটীৰ বা ডাঃ আন্সাৰিৰ প্ৰস্তাৱৰ সপক্ষে কবলৈ দিয়া বক্তাৰ সংখ্যা পণ্ডিতজীৰ প্ৰস্তাৱৰ সপক্ষে কবলৈ দিয়া বক্তাতকৈ বহুত সৰহ আছিল। সভাপতিৰ এই কাৰ্য্য বহুতে অশোভন বুলিছিল। এবাৰ এই বিষয়ে আপত্তি উঠাত সভাপতি ডাঙৰীয়াই পণ্ডিত মালব্যজীৰ সমৰ্থনকাৰী সৰহ লোকক বক্তৃতা দিবলৈ নিদিয়াৰ কাৰণ কৈছিল যে সময়ৰ বৰ অভাৱ, আৰু আগদিনা পণ্ডিতজীয়ে যি বক্তৃতা দি গৈছে, তাতকৈ সেই পক্ষৰ কোনোৱাই ভালকৈ কিম্বা নতুন কথা ক'ব পাৰিব বুলি তেখেতৰ বিশ্বাস নহয়। এক হিছাপে কথাষাৰ মিছা নাছিল। পণ্ডিত মালব্যৰ পক্ষৰপৰা ৱাৰ্কিং কমিটীৰ সাম্প্ৰদায়িক সিদ্ধান্ত বিষয়ক প্ৰস্তাৱটোৰ অযৌক্তিকতা আৰু অন্যান্য দোষৰ বিষয়ে কবলৈ পণ্ডিতজীৰ সুদীৰ্ঘ যুক্তিপূৰ্ণ বক্তৃতাৰ পিছত বৰ বেছি একো নাছিল। আইনৰ ফালৰ পৰা, সম্প্ৰদায়ৰ ফালৰ পৰা, শাসন-কাৰ্য্য আৰু ৰাজনীতিৰ ফালৰ পৰা, কংগ্ৰেছ আৰু জাতীয়তাৰ ফালৰপৰা, ৱাৰ্কিং কমিটীৰ প্ৰস্তাৱটোত দিয়া যুক্তিৰ ফালৰপৰা—কেউফালৰ পৰা পণ্ডিতজীয়ে সেই প্ৰস্তাৱৰ দোষলৈ আঙুলিয়াই গৈছে। কিন্তু ৱাৰ্কিং কমিটীৰ প্ৰস্তাৱৰ সপক্ষে যথেষ্ট যুক্তি সেই প্ৰস্তাৱৰ প্ৰস্তাৱক ডাঃ আন্সাৰি আৰু সমৰ্থক অন্যান্য নেতা সকলে দেখুৱাব পৰা নাই। ৱাৰ্কিং কমিটীৰ প্ৰস্তাৱৰ কিছু যুক্তি আৰু দৃঢ়তাৰে সমৰ্থন কৰিছিল মাত্ৰ ছৰ্দ্দাৰ বল্লভ ভাই পেটেলে আৰু তেখেতেই উক্ত প্ৰস্তাৱৰ সমৰ্থক সকলৰ ভিতৰত প্ৰতিনিধি মণ্ডলীৰ পৰা কেবাবাৰো অভিনন্দন সূচক হৰ্ষধ্বনি লাভ কৰিছিল। অৱশ্যে তেখেতৰ বক্তৃতাতো যুক্তিতকৈ দৃঢ়তাপূৰ্ণ গৰম কথাই



খাঁ আবদুল গফুৰ খাঁই নিখিল ভাৰত খাদি প্ৰদৰ্শনীৰ উদ্বোধন বক্তৃতা দিব লাগিছে।

বেছি আছিল। পণ্ডিত মালব্যই তেখেতৰ বক্তৃতা প্ৰসঙ্গত তোলা নানান যুক্তিৰ খণ্ডন কৰিবলৈ চেষ্টা নকৰাকৈয়ে ছৰ্দ্দাৰ পেটেলে কয় যে সাম্প্ৰদায়িক সিদ্ধান্ত ৰূপী চক্ৰান্তৰ দ্বাৰা বৃটিঃশ গৱৰ্ণমেণ্টে ভাৰতৰ বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত মনোমালিন্যৰ ভাব জগাই ৰাখিবলৈ দিহা কৰিছে। কংগ্ৰেছে বৃটিঃশ ৰাজনীতিক সকলৰ এই চতুৰালি ব্যৰ্থ কৰিবৰ কাৰণে অতি সাৱধানে আৰু ধৈৰ্য্য সহকাৰে চেষ্টা কৰিব লাগিব। বহুত ভাবি চিন্তি সম্প্ৰতি ৱাৰ্কিং কমিটীয়ে এই সাম্প্ৰদায়িক সিদ্ধান্ত বিষয়ে আৰু সাম্প্ৰদায়িক সমস্যাৰ

সমাধানর অর্থে উক্ত সিদ্ধান্ত গ্রহণ করিছে। কিন্তু বর ছুঃখর বিষয় যে পণ্ডিত মালব্যজী আরু মিঃ আনেই কংগ্রেছর এই ছর্দ্দিনর দিনতো প্রধান মন্ত্রীর সাম্প্রদায়িক সিদ্ধান্তর কথা লৈ কংগ্রেছত দলাদলির সৃষ্টি করিছে। ব্রাকিং কমিটীর উক্ত কৌশলটো প্রয়োগ করাত সকলো কংগ্রেছ কর্ম্মীয়ে সমবেত ভাবে সহায় নকরাকৈ সাম্প্রদায়িক সমস্যার সমাধান আরু প্রধান মন্ত্রীর সাম্প্রদায়িক সিদ্ধান্ত বদ করিবলৈ পণ্ডিত মালব্যজীয়ে এটা অযুক্তিকর কার্য্য পদ্ধতি হাতত লৈ ততাতৈয়াকৈ কংগ্রেছ জাতীয় দল নামে এটা দল থুলি কংগ্রেছর (অফিছিয়েল) গণত বিপক্ষতা আচরণ করাটো অতি আপত্তিকর কথা। তেখেতে জাতীয়দলর এনে আচরণ কেতিয়াও সহ্য নকরে। এই আন্দোলনর গুৰিয়াল পণ্ডিত মালব্যই হওক বা যেয়ে হওক তেখেতে ইয়ার বিরুদ্ধে যুদ্ধ করিব, তেখেত এজন যুঁজাক। (সবহীয়া দলর পৰা হর্ষধ্বনি আরু তাকরীয়া দলর "shame," "shame" মন্তব্য)

পণ্ডিত মালব্যর প্রস্তাবর সমর্থক কিজনর ভিতরত বঙ্গর জাতীয়তাবাদী মুছলমান নেতা বঙ্গ কাউন্সিলর সদস্য আরু কংগ্রেছ জাতীয়দলর ব্রাকিং কমিটীর সদস্য মৌলবী আবছুছ ছমাদর বক্তৃতা শুনিব লগা হৈছিল। ভাষার প্রাঞ্জলতা, কোরার ধরণ, বর বরকৈ চিক্রবি কোরা আরু আস্ফালন, তাত অরশ্যে সমূলি নাছিল। মন করিব লগীয়া হৈছিল তেওঁর যুক্তিখিনি। তেখেতে তেখেতর বক্তৃতাত যাইকৈ প্রধান মন্ত্রীর সাম্প্রদায়িক সিদ্ধান্তর পক্ষ-পাতী মুছলমান সকলে উক্ত সিদ্ধান্ত মানি লোরা বিষয়ত প্রায় গোটেই মুছলমান সম্প্রদায় একমত বোলা দাবী—দিটো দাবী কংগ্রেছে সঁচা বুলি ধরি লৈ সাম্প্রদায়িক সিদ্ধান্তর বিষয়ে বর্ত্তমান অসন্তোষ জনক প্রস্তার গ্রহণ করিছে—ভিত্তিহীন বুলি প্রমাণ করি দেখুয়ায় আরু জাতীয়তাবাদী মুছলমান দলর নেতা ডাঃ আম্বাবিয়ে আজি এই ব্রাকিং কমিটীর উক্ত প্রস্তার সমর্থন করাটো অতি অশোভন হৈছে, এই কার্য্য তেওঁর অতীত কার্য্য প্রণালীয়ে সমূলি সমর্থন নকরে বুলি মত প্রকাশ করে। মৌলবী আবছুছ ছমাদর বক্তৃতার সাৰাংশ বাতরি কাকতত সঠিক ভাৱেই প্রকাশ পাইছে। গতিকে ইয়াত সেই বিলাকর পুনরুক্তি নিষ্প্রয়োজন।

বাতি প্রায় ৯ বজাত সভাপতির দ্বারা আহুত হৈ ডাঃ আম্বাবিয়ে তেখেতর বিপক্ষ দলর উত্তর দি তেখেতর প্রস্তারর সপক্ষে শেষ মন্তব্য করিবলৈ ওলাল। তাৰ আগতে ছর্দ্দার বয়স ভাই পেটেলে তেখেতর বক্তৃতাত পণ্ডিত মালব্যই জাতীয় দল গঠন করা সম্পর্কে তেখেতর বিষয়ে কোরা কিছুমান ভ্রান্ত কথার উত্তর স্বরূপে পণ্ডিতজীয়ে ছু-আষাৰমান প্রতিনিধি সকলর আগত ব্যক্ত করিবলৈ বিচরা অনুমতি সভাপতি বাবু রাজেন্দ্র প্রসাদে অগ্রাহ্য করিলে। এই এটা কার্য্যটো বহুতে সভাপতি ডাঙরীয়াক পক্ষপাতীভাবে দোষারোপ করিলে। ডাঃ আম্বাবিয়ে তেখেতর প্রস্তার সম্পর্কে ছছিয়েলিষ্ট দল আরু ভাৰতীয় দল ছুয়োপক্ষর আপত্তির উত্তর একেলগে দিবলৈ যত্ন করিলে। ডাঃ আম্বাবিয়ে এই সামৰণি বক্তৃতাও আগর বক্তৃতাৰ দৰেই নিস্তেজ আরু যুক্তিহীন। ছছিয়েলিষ্ট দলক তেখেতে প্রবোধ দিলে যে কংগ্রেছবপৰা কিম্বা পার্লেমেণ্টরী দল তেওঁলোকর শত্রু বা বিরুদ্ধবাদী বুলি ভাবিবর একো কারণ নাই। ছছিয়েলিষ্ট দলর মতবাদ কার্য্য-প্রণালীর সজগুণখিনির বিষয়ে কংগ্রেছর সদায় সহানুভূতি থাকিব। বর্ত্তমান অবস্থাত কংগ্রেছে যি নীতি লৈছে, সেয়ে সকলো দল আরু সম্প্রদায় আরু স্বার্থর পক্ষে আটাইতকৈ সন্তোষজনক নীতি। পণ্ডিত মালব্য আরু মৌলবী আবছুছ ছমাদ আদিয়ে ব্রাকিং কমিটী আরু পার্লেমেণ্টরি বর্ডে প্রধান মন্ত্রীর সাম্প্রদায়িক সিদ্ধান্ত সম্পর্কে গ্রহণ করা প্রস্তারর বিরুদ্ধে যিবিলাক যুক্তি দেখুৱাইছিল, তার আম্বাখিনিও—ডাঃ আম্বাবিয়ে খণ্ডন করিব নোৱারিলে। মাত্র কলে,—ব্রাকিং কমিটী আরু পার্লেমেণ্টরি বর্ডে বহুত ভাবি-চিন্তি চাই এই জটীল সাম্প্রদায়িক সমস্যার সমাধানর কারণে এই প্রস্তারত কোরা নীতিকে আটাইতকৈ ভাল বুলি ভাবিছে। পণ্ডিতজী আরু তেখেতর সমর্থকদলে যেন ইয়াকে মানি লয়। তেখেতর বক্তৃতাও আকৌ সেই "কনষ্টিটউয়েণ্ট এছেম্ব্লি,

"কনষ্টিটউয়েণ্ট এছেম্ব্লি।" কনষ্টিটউয়েণ্ট এছেম্ব্লি লাভ করা সম্পর্কে আম্বাবির অসীম আস্থা। তাৰ বিরুদ্ধ কথা তেখেতে ভাবিবই নোৱারে।

আমার যি সকলে ব্রাকিং কমিটীর সাম্প্রদায়িক সিদ্ধান্ত বিষয়ক প্রস্তারলৈ কংগ্রেছর ভিতরত হোরা দলাদলির বঙ্গে অধিবেশনত এটা সন্তোষজনক আপোছ মীমাংসা হব বুলি আশা করিছিলো, কংগ্রেছত আলোচনাত



মিঃ কে এফ নরিমেন

ছুয়োপক্ষর বক্তৃতা শুনি আরু মতি-গতি দেখি হতাশ হলো। আপোছর ভাবত এক পক্ষতো কোনো কথাকে নকলে; ছয়ো পক্ষ নিজ নিজ দাবী লৈ অবিচলিত ভাবে চলিবলৈ দৃঢ় সঙ্কল্প। বিনা যুক্তিতে কোনো পক্ষ অবলম্বন নকৰা, স্বাধীনভাবে চিন্তা করোতা প্রতিনিধি হিচাপে এব

আশা করিছিলো যে আনে-মালব্যই তেওঁলোকৰ জিদ চিলাই দিব কিম্বা ব্রাকিং কমিটীৰ সমর্থকদলেও জাতীয় দলৰ সৈতে এটা আপোছলৈ আহিব। মালব্য আনৰ দাবী সম্পূর্ণকৈ মানি লৈ নহয় (সেইটো আপোছো নোৱোলে)—তেওঁলোকৰ আধাআধি ভাবে মানি লৈ। কিন্তু তেনে ধৰণৰ কোনো প্রস্তৱেই মুঠিল। ভাবিছিলো যে "ব্রাকিং কমিটিয়ে সাম্প্রদায়িক সিদ্ধান্ত মোৰ আপত্তিকৰ আরু জাতীয়তাৰ পরিপন্থী বুলি নিন্দা করি, যিহেতু মুছলমান সকলে তাক সাধারণ ভাবে গ্রহণ করিছে, সেই হেতুকে তেওঁলোকক আঘাত নিদিবৰ কাৰণে তাক গ্রহণো নকৰে, বর্জ্জনো নকৰে—ভবিষ্যতে শাসনতন্ত্র পরিষদে সাম্প্রদায়িক সমস্যার সমাধান করিব বোলাৰ প্রস্তাৱৰ শেষৰ কেইযাৰি কথাৰ ঠাইত কলেইহেতেন যে উল্লিখিত দোষৰ কাৰণেই কংগ্রেছে সেই সাম্প্রদায়িক সিদ্ধান্ত অগ্রাহ্য করে; কিন্তু যিহেতু ব্যৱস্থা পরিষদত আন্দোলন করি উক্ত সাম্প্রদায়িক সিদ্ধান্ত বদ করাটো সম্ভৱ নহয় আরু সাম্প্রদায়িক সিদ্ধান্তর পরিবর্ত্তে সকলো দলৰে পক্ষে সন্তোষজনক আন কোনো এটা ব্যৱস্থা করা হোৱা নাই গতিকে তেনে আন্দোলনে এই সিদ্ধান্তক সাধাৰণ ভাবে ভাল পোৱা মুছলমান সম্প্রদায়ৰ মনত আঘাত দিব; সেই হেতুকে কংগ্রেছে ব্যৱস্থা-পরিষদত সাম্প্রদায়িক সিদ্ধান্তর সংশোধন বা বদ করাৰ আন্দোলন সমর্থন নকৰে আরু ভবিষ্যতে এটা কনষ্টিটউয়েণ্ট এছেম্ব্লিয়ে এই সাম্প্রদায়িক সমস্যার মীমাংসা করিব বুলি সিদ্ধান্ত করে,—তেতিয়া আমার মনেৰে ব্রাকিং কমিটী আরু পার্লেমেণ্টরি বর্ডৰ ই বিরুদ্ধতা নকরিলে হেঁতেন আরু মালব্য আনে প্রমুখ্যে জাতীয়দলক ই সঙ্কট করিলেহেঁতেন। ব্রাকিং কমিটীৰ প্রস্তাৱটোত মালব্য আনেৰ ঘাই আপত্তি হৈছে এই যে এই প্রস্তাৱত

কংগ্ৰেছে সাম্প্ৰদায়িক সিদ্ধান্ত "গ্ৰহণো—নকৰে, বৰ্জ্জনো নকৰে" বোলা কথাৰ দ্বাৰা সাময়িক ভাবে হলেও উক্ত সিদ্ধান্ত মানি লোৱা হৈছে আৰু এই অস্পষ্ট প্ৰস্তাৱে কংগ্ৰেছৰ প্ৰতি দেশত এদল লোকৰ আস্থা হেৰুৱাইছে। এই প্ৰস্তাৱে কংগ্ৰেছৰ লোকসকলক সাম্প্ৰদায়িক সিদ্ধান্তৰ বিৰুদ্ধে কাউন্সিল এছেমব্লিৰ বাহিৰ ভিতৰ দুয়ো ক্ষেত্ৰতে আন্দোলন কৰাত বাধা দি পৰোক্ষভাবে এই সিদ্ধান্ত ভাৰতত প্ৰবৰ্ত্তন কৰিবলৈ গৱৰ্ণমেণ্টক বেছি সুবিধা দিছে।

এছেমব্লিত আন্দোলন কৰি সাম্প্ৰদায়িক সিদ্ধান্তৰ বদ বদল কৰাত আমি অলপো বিশ্বাস নকৰোঁ যদিও, ৱাৰ্কিং কমিটীৰ উক্ত প্ৰস্তাৱ অস্পষ্ট আৰু ভ্ৰান্তিমূলক বুলি আমি বিশ্বাস কৰোঁ। ওপৰত কোৱাৰ দৰে দিয়া হলে সেই প্ৰস্তাৱ বেছি স্পষ্ট হলহেঁতেন আৰু বোধ হয় জাতীয় দলেও তাক মানি ললেহেঁতেন। কিন্তু সি হৈ নুঠিল। ভোট লোৱা হল। ডাঃ আন্সাৰিৰ প্ৰস্তাৱৰ সংশোধনী প্ৰস্তাৱ তিনিওটা অগ্ৰাহ্য হল আৰু বিপুল জয় ধ্বনিৰ মাজত ডাঃ আন্সাৰিৰ প্ৰস্তাৱ গৃহীত হল। কিন্তু কংগ্ৰেছত দলাদলি ৰৈয়ে গল।

এই দৰেই বম্বে কংগ্ৰেছৰ তিন দিনীয়া অধিবেশনৰ ডেৰ দিনৰ কাৰ্য্য শেষ হ'ল।

—আগলৈ

তৰুণী

গল্প— —শ্ৰীযুত প্ৰভাত চন্দ্ৰ অধিকাৰী

তৰুণী সুন্দৰী; শিতানত বহি আছে। হাতত এটি আইচ্‌ব্যাগ, নতুনকৈ বৰফ ভৰাই ব্যাগটি ৰোগীৰ মূৰত ধৰিলে! তৰুণীত বাজে ৰোগীৰ কাষত আন কোনো নাই; তিনদিন হল, ৰোগী নিতত; নিঢালে পৰি আছে।

* * * *

আন এটি ঘৰ; ঘৰৰ কোঠা দুটি। এটিত গৃহশিক্ষকে বাৰ বছৰীয়া লৰা এজনক পাঠ শিকাইছে। আনটিত গৃহস্বামী অধ্যাপক বৰুৱাদেও নিৱিষ্টমনে এখন বাতৰি কাকত পঢ়িব লাগিছে। তেখেতৰ বয়স অনুমান পঞ্চল্লিশ্।

"অ' নিভৰসা, এছিলিম ধপাত দেচোন বোপাই"—নিভৰসা চাকৰ। এছিলিম ধপাত লগাই সি গুড়গুড়ীৰ নলীডাল অধ্যাপকৰ হাতত তুলি দি গ'ল। অধ্যাপকৰ মন বাতৰি কাকতত সমূলি নিমগ্ন হ'ল। ধপাত আপোন মনে পুৰি ছাই হলত অৱশেহত নলীডাল মুখত লগাই তেওঁ দুটিমান হোপা মাৰিলে।

'মাষ্টাৰ'...

'গৈছোঁ,—

'হোৱাঁ, এই ৰূপ একটা লৈ যোৱাচোন; অনেক মিঞাৰ দোকানৰ পৰা ভাল এডাল নলী কিনি অনাগৈ। এইডাল কৰবাত ফাটিলে; ইমানপৰ মিছাতে হুপি মৰিলোঁ, ধোৱাই নোলাল। ধপাত ছিলিম খাবই নোৱাৰিলোঁ বোপাই,—

মাষ্টাৰ ওলাই গ'ল।

গৃহিনী দেখা দিলে।

"তুমি ভালমানুহৰ লৰাক এইদৰে কি নলী-চলী আনিবলৈ বজাৰে সমাৰে পঠোৱা কব নোৱাৰোঁ! মনত বেজাৰ নেপায় নে?"

"এই, হয়োতো,—হেৰ নিভৰসা, মাষ্টাৰক ঘূৰি আহিবলৈ ক?"

"দেউতা, মাষ্টৰ ঠেংগাৰীত উঠি গ'ল; ইমানপৰে বজাৰ গৈ পালে কিজানোবা।?

"হেৰ গুড়গুড়ীৰ নলীডাল কালি চিৰাচিৰ হ'ল; তই দেখা নাইনে? ধপাত ছিলিম মিছাতে হুপি মৰিলোঁ, ধোৱাই নোলাল।"

'ধোঁৱা ওলাব নো ক'ৰ পৰা? ধপাতখিনি আগেয়ে পুৰি ছাই হ'ল, আপুনি পিছতহে হুপিলে। নলীডাল দেখোন ভালেই আছে, ফটা চটা একো নাই।"

* * * *

"গুড্ মৰ্ণি, আহ'ক আহ'ক ডাক্তৰ বাবু, বহ'ক পিছে আজিৰ বাতৰি কাকতখন পঢ়িছেনে? এটা বৰ আচৰিত Scientific discovery খবৰ পঢ়িলোঁ; কওঁ শুনক'—

"আপোনাৰ ড্ৰাইভাৰৰ অৱস্থা এতিয়া কেনেকুৱা?"

'অ'! হেৰ, নিভৰসা'—

'নিভৰসাক মাতিছে কেলৈ? আমিয়ে যাওঁ বলক। আজিকালি মোটৰ গাৰীত এনে ধৰণৰ দুৰ্ঘটনা প্ৰায়েই হয়, কিন্তু তাৰ ফলত আঘাত পাই এনেকৈ তিনিদিন অজ্ঞান হৈ পৰি থকা ৰোগী মই আগেয়ে কেতিয়াও পোৱা নাই; বুজিছেনে? কেচ্‌টো বৰ চিৰিয়াছ হৈ পৰিছে। আজি তত্ নাচাপিলে জীৱনৰ আশা এৰিবহে লাগিব যেন পাওঁ।"

"বৰ দুখৰ কথা; আপুনি ভাল এটা দামী ইন্‌জেক্সনকে দিয়কচোন, মই টকা দিওঁ"—

ৰোগীৰ ঘৰ।

ডাক্তাৰ বাবুৱে ৰোগীৰ নাড়ী আৰু বুকুখন পৰীক্ষা কৰিলে। এনেতে ৰোগী হঠাৎ চকি উঠি সাৰ পালে।

"তোমাৰ নাম কি?"

"চাৰু নাথ। You look more like a police officer than a doctor"

"Brain টো এতিয়াও normal stage পোৱাহি নাই; হলেও এতিয়া ভয় নাই আৰু।"

ডাক্তৰৰ নিৰ্দ্দেশ মতে তৰুণী ততালিকে অলপ কুহুমীয়া তপত গাখীৰ আৰু বেদনাৰ ৰস ৰোগীক খুৱাই দিলে।

ডাক্তৰ আৰু অধ্যাপক বেমাৰীৰ ঘৰৰ পৰা ওলাই গ'ল।

"মিষ্টাৰ বৰুৱা, এইৰোগী সঁচাকৈয়ে আপোনাৰ ড্ৰাইভাৰ নে?"

"চাৰুনাথ বৰ ভাল লৰা ডাক্তৰ বাবু। আজি ছমাহৰ পৰা সি মোৰ ইয়াত ড্ৰাইভাৰৰ কাম কৰিছে।

ডাক্তৰ গুচি গ'ল।

* * * * *

সাতদিনমান পিছৰ কথা।

চৰাৰ আগভাগত ধুনীয়া ফুলনি,—ফলে ফুলে জাতিস্কাৰ, সন্ধিয়াৰ জোনাক, বতাহ বিৰবিৰকৈ বলিছে। গৃহিণী তৰুণী আৰু চাৰুনাথ এজুপি মাধৱী কুঞ্জৰ আঁৰত কথা পাতি বহিছে।

গৃহিনী—বোপাই, তুমি আৰু কিছুদিন কাম বন কৰিব নালাগে। দেহি ঐ, মুখখনি শুকাই জৰী যেন হ'ল!

চাৰুনাথ—নাই, আই! এতিয়া গা ভালেই হ'ল, কামবনো কৰিব পৰা হলোঁ। দুদিনৰ নৰিয়া, আৰু নো কিমান জিৰাব লাগিছে?

গৃহিনী—নহয় বোপাই! মই তেওঁক মানা কৰি দিম, তোমাক যেন আৰু এমাহমান মোটৰ চলাবলৈ নিদিয়ে। মই যাওঁ আই, তইঁত দুয়ো অলপৰ মেল পাতি থাক। তোৰ দেউতাৰৰ আহিবৰ সময় হ'ল; যিহে মানুহজন আকৌ—মই অলপ জা-জলপানৰ দিহা কৰোঁগৈ।

তৰুণীৰ মুখত মিচিকিয়া হাঁহিৰ ৰেখা। গৃহিনী ভিতৰলৈ সোমাই গ'ল।

* * * *

'ৰাজু!'—

'কি?'—

'মোর নবিয়ার কেইদিন তুমি রব দুখ পালা, নহয়নে ? মই বাতি টোপনির পরা সার পাইও তোমাক আইচ ব্যাগাট লৈ শিতানত বহি থকা দেখিছোঁ।"

'সেইটো একো দুখর কাম নহয়। বেমাৰীক শুশ্রূষা করা সুখবহে কাম।'

'বেমাৰীক শুশ্রূষা কবাত বাজে তোমাৰ আন কাম নাই নে ?

'বোগীৰ সেৱাত নাৰীৰ পৰম আনন্দ।'

'তেন্তে মই বেমাৰত পৰি থাকিলে তুমি আনন্দ পোৱা, হয়নেই ?

'নহয় !'

'মই হলে পাওঁ।'

'তুমি ভাল ইংৰাজী কব পাৰা।'

'মই ? নোৱাৰোঁ।'

'সিদিনা ডাক্তৰক ইংৰাজীৰে পুলিচ বুলি কৈছিলা। তুমি ইংৰাজী পঢ়িছিলা নেকি ?'

'তোমাক মিছা নকওঁ ;—অলপমান পঢ়িছোঁ।'

'কিমান পঢ়িছা ?

'বি-এ পাচ কবিছোঁ।"

'তেন্তে, ভাল চাকৰি নকবি ড্ৰাইভাৰৰ কাম কবিছা কিয় ?

'সি মোৰ জীৱনৰ গভীৰ দুখৰ কাহিনী এটি ; তুমি শুবুজিবা।'

'মই বুজিম, তুমি কোৱা।'

'তেন্তে, কওঁ শুনা।—মই বি-এ পাচ কৰাৰ দুদিন পিছতে পিতাদেও হঠাৎ চুকায়। তেওঁ উকিল আছিল ; আজিকালি উকিলৰ পইছা নাই। পিতাদেও যদিও আগৰ দিনৰ নামজলা উকিল আছিল তেওঁ, এই শেষ অৱস্থাত ধনৰ নাটনিত দুখ পাইছিল। তথাপি ধাৰে ঋণে কোনোমতে সংসাৰখন চলাই আছিল। তেওঁ আশা কৰিছিল যে মই কলেজৰ পৰা ওলাই আহি চাকৰি কৰা ধনেৰে সেই ধাৰ শুজিম। গতিকে তেওঁ চুকালত মোৰ মুখত কেইবাহেজাৰো টকাৰ এটি গধুৰ বোজা চাপিল। তাবে কেইহেজাৰ মান পিতৃ পিতামহৰ বস্তু বাহানি বিক্রী দি শোধালোঁ ; কিন্তু এতিয়াও বহুত আছে। সক ভাই এটি কলেজত পঢ়ে ; তাৰ খৰচ আৰু বাৰী আৰু পোহ পালব ভাৰ এতিয়া মোৰ ওপৰত পৰিছে। ভাই চাকৰী পোৱাই টান ; অনেক চেষ্টা কৰি এটি পাৰলৈও বহুদিনলৈ বাট চাব লাগে। কিন্তু তিমান সময় মোৰ নাছিল।'—

'বাইদেও, আইটীয়ে তোমাক মাতিছে। মই তোমাক ইমান চিধাঁৰি চিধাঁৰি মাতিলোঁ, তেও তুমি শুশুনিলাই। মই কেতিয়াবাই আহি তোমালোকৰ মেল খন মনে মনে শুনি আছোঁ। ড্ৰাইভাৰে ইংৰাজী জানে, নহয় ? মই এতিয়াই আইৰ আগত কৈ দিম যৈ।'

বাজুৰ মুখত অচিন্ত্যপূর্ব্ব নবীন ভাৱৰ গভীৰ বেখা এটি বিবিতি উঠিল।

* * * *

অধ্যাপক—ম' নিভবখা, ড্ৰাইভাৰবাকু বেগহে মাতি আনচোন বোপাই।'

নিভবসা মনতে ভাবিলে 'ইঃ ড্ৰাইভাৰো আকৌ বাবু হ'ব ; হব নোৱাৰিলোঁ অকল মচেই ! মোক হলে কেন্তে নিভবসা বাবু নোবোলে।'

চাকনাথ ভিতৰলৈ সোমাই আহিলে।

অধ্যাপক—চাকনাথ, তুমি আজিৰ পৰা ড্ৰাইভাৰৰ কাম কবিব নালাগে।

চাকনাথ—কেলৈ দেউতা ? যদি নজনাত কিবা অপৰাধ লগালোঁ তেন্তে ক্ষমা কবিব ; কিন্তু মোক চাকৰি পৰা খেদি নিদিব মই বৰ দুখীয়া'—

অধ্যাপক—তুমি বেজাৰ নকবিবা ; মই তোমাৰ চাকবিৰ পৰা খেদি দিয়া নাই, মাথোন ড্ৰাইভাৰৰ কামখিনি কবিবলৈহে মানা কবিছোঁ। দবমহা আগৰ হিচাপেই পাই থাকিবা।

চাকনাথ—আপোনাৰ অসীম অনুগ্রহ ! কিন্তু এনে কামবন নকবাকৈ কেনেকৈ দবমহা লম ?

অধ্যাপক—বাক সি বলেগ কথা ; পাছে-পৰে ভাবি চোৱা যাব।

* * * *

'জলপান খিনি নেখাতেই দেখোন।'

'খাবৰ ইচ্ছা নাই বাজু ! মনত বৰ বেয়া লাগিছে ?

'কিয় ?'

'দেউতাই আজি মোক কাম কৰিবলৈ মানা কৰিলে।'

'তাত তোমাৰ বেয়া পাবৰ কি হ'ল ?'

'লোকৰ ঘৰত মিছাতে বহি থোৱা ভালনে ?

'আমিও বহি হে থাইছোঁ।'

'তোমাৰ কথা বলেগ, তুমি ঘৰৰ ছোৱালী। আৰু—

'আৰু কি ?'

'আৰু মনৰ ভিতৰত এটি বৰ অশান্তিৰ ভাৱ সদায় অনুভৱ কৰিছো।'

'কি ? কোৱা ; পাৰিলে মই তাক দূৰ কৰিম।"

'কৰিবা ? সঁচা কৈছা ?'

'সঁচা কৈছো।'

'মোৰ দুর্ভগীয়া জীৱনৰ গভীৰ দুখৰ সকলোখিনি কথা তুমি শুনিছা। সেই বাবে কবলৈ সাহ নহয় বাজু ! কিমানি আঘাতৰ ওপৰত আকৌ আঘাত পাওঁ। কিন্তু অশান্তিৰ যাতনাও বৰ তীব্র। নবয়িৰ পাছত, জ্ঞান হোৱাৰ দিনৰে পৰা অন্তৰৰ এচুকত শুই থকা গোপন বাসনা এটি সাৰ পাই মুৰ ডাঙি উঠিছে। পোনতে একো বুজিব পৰা নাই ; কিন্তু ক্রমে বুজিলোঁ যে তোমাৰ বমণীয় সঙ্গই ক্রমে মোক মুগ্ধ কবি তুলিছে ; তোমাক নাপালে মোৰ জীৱনৰ ফুলোঁ-দুলোঁ-হোৱা লনি কলিটি শুকাই জঁই পৰি যাব। বাজু ! তুমি মোক তোমাৰ কবি লবা নে ?'

'.....'

'কোৱা, নামাতি নাথাকিবা' ! –

'.....'

'কোৱা বাজু ! তোমাৰ উত্তবেৰে মোৰ আশাৰ সোণোৱালি সপোন বাস্তবত পৰিণত কবি দিয়া ; আৰ মনে মনে নাথাকিবা'—

'মই বিবহা'—

বিজুলীৰ বেখা এটি অকস্মাৎ তিববিবাই মাৰ গ'ল।

* * * *

অধ্যাপক – চাকৰি এটা ঠিক কৰিলোঁ চাকনাথ ! দবমহা দেৰ শ টকা পাবা এতিয়া। ভালেই হ'ল ; নহয়নে ?

চাকনাথ—বৰ ভাল হৈছে ; আপোনাৰ দয়াৰ কথা মবিলেও নাপাহৰোঁ।

অধ্যাপক—তিনিশৈলেকে Scale—বুজিছানে ? সোনকালে join কবিব লাগিব দেই ; সাজু হৈ থাকা'

চাকনাথ—কিন্তু—

অধ্যাপক—নাই নাই, বৰ সজকাম হে ! মিছা প্রবঞ্চনা সমুলঙ্কে নাই, বুজিছা ?

চাকনাথ– মই এটি কথা কব খোজোঁ—

অধ্যাপক— কি কথা ? কোৱা।

চাকনাথ—আপোনাৰ ছোৱালীক বিয়া নিদিয়ে নে ?

অধ্যাপক—বাজু বিধৰা

চাকনাথ—মই জানোঁ।

অধ্যাপক—সমাজৰ বাহু এতিয়াও বৰ টান।

চাকনাথ—কেৱে আগবাঢ়ি আহিলে—

অধ্যাপক—বিবেচনা কবি চোৱা যাব।

চাকনাথ—অযোগ্য হলেও, মই আপোনাৰ কন্যাৰ পাণি-প্রার্থী।

অধ্যাপক—মই মাকৰ মত লবলৈ চেষ্টা কৰম।

* * * *

'বাজু !'

'কি ?'

'আজি আৰু ইমান দীঘল ওবণি কিয় ?'

'এনেয়ে'—

'নহয়। ভিতৰ আপোন হলে বাহিৰ নিলগলৈ আঁতবি যায় নেকি ?'

'হব পায়।'

'ইমান দিন অন্তৰখন পৰ আছিল, বাহিৰ আপোন।'

'মোৱা'—

'তোমাৰ হাতত কি ?'

'উছৰ্গা কৰা ফুল এথাহি।'

'হলেও অনাঘ্রাত, নির্ম্মল ; মই গ্রহণ কবিলোঁ।'

বাজু চাকনাথৰ চৰণত এটা নেৰা জনালে।

বিশ্ব-প্ৰৱাহ

অসমীয়া ডেকাৰ শৰীৰ চৰ্চ্চা

বৰ্ত্তমানে শৰীৰ চৰ্চ্চাৰ ধাউতি হোৱাটো অসমীয়া ডেকা সকলৰ এটি শুভলক্ষণ আৰু সুখৰ কথা শ্ৰীমান নগেন্দ্ৰ নাথ শৰীৰ চৰ্চ্চা কৰা অসমীয়া ডেকাসকলৰ অন্যতম।



শ্ৰীমান নগেন্দ্ৰ নাথ

তেওঁ কামৰূপ একাডেমীৰ ৮ম মান শ্ৰেণীৰ ছাত্ৰ। অতি অলপ সময়ৰ ভিতৰতে ব্যায়াম চৰ্চ্চা কৰি তেওঁ শৰীৰৰ যথেষ্ট শক্তি সৌষ্ঠৱ বঢ়াইছে। তেওঁ ডিঙিৰে ঠেলি আধা ইঞ্চি মোটা লোৰ তাঁৰ বেঁকা কৰা, শিকলি ছিঙা, দুখন চলন্ত মটৰ গাৰী টানি ৰখা ইত্যাদি শক্তি প্ৰদৰ্শক ক্ৰীড়া কৌতুকেৰে, নানা সভা সমিতিৰ দৰ্শকক আনন্দ দিয়ে। তেওঁৰ উন্নতিয়ে আন ডেকা সকলকো নিশ্চয় এই বিষয় অনুপ্ৰেৰণা দিব বুলি আশা কৰিব পাৰি।

পুনৰ্যৌৱন দান বিশেষজ্ঞ ডাঃ চাৰ্জ্জ ভৰণফ

বিখ্যাত বৈজ্ঞানিক ডাঃ চাৰ্জ্জ ভৰণফ এজন সুখ্যাতি সম্পন্ন ফিজিয়লজিষ্ট আৰু বিশেষকৈ তেওঁ পুনৰ্যৌৱন দানৰ এগৰাকী বিশেষজ্ঞ বুলিহে জনাজাত। তেওঁৰ মতে যেনেকৈ বুঢ়া গছত কলম লগাই ডেকা গছ কৰি তাক আকৌ ডেকা গছ কৰি তুলিব পাৰি সেইদৰে জীৱ-জন্তুৰো কোষ (gland) সলাই অৰ্থাৎ ডেকা বয়সৰ জীৱৰ কোষ বুঢ়া বয়সৰ জীৱ-জন্তুত লগাই সেইদৰে পুনৰ্যৌৱন দান কৰিব পাৰি। যেতিয়ালৈকে জন্তুৰ জীৱনী শক্তি সম্পন্ন কোষ বোৰ বাঢ়ি থাকিব পাৰে তেতিয়ালৈকে সেই জন্তুৰ ডেকা বয়স থাকে আৰু যেতিয়াই বয়স পাই এই কোষবোৰ বাঢ়িবলৈ এৰে



সপত্নীক ডাঃ ভৰণফ—জাভালৈ যাব আহোঁতে কলিকতাত লোৱা ছবি

আৰু নিস্তেজ হয় তেতিয়া ভাটি বয়স আৰম্ভ হয় আৰু এই সময়ত সেই কোষবোৰৰ সলনি আন ডেকা জীৱৰ কোষ

সুমাই লব পাৰিলে আকৌ যৌৱন পোৱা যায়। এই থিয়ৰী খটাই ডাঃ ভৰণফে বহু বুঢ়া মানুহকো পুনৰ্যৌৱন দান কৰি বিশেষ কৃতিত্ব লাভ কৰিছে। মানুহৰ কাৰণে চিম্পাঞ্জী জাতীয় জন্তুৰ কোষ বিশেষ কাৰ্য্যকৰী বুলি তেখেতে প্ৰমাণ কৰিছে আৰু এই বিষয় গৱেষণা কৰিবলৈ তেওঁ জাভাদ্বীপৰ এই জাতীয় জন্তুৰ কোষেৰে পৰীক্ষা চলাব বাবে তালৈ অলপতে গৈছে।

পাঁচ বছৰ বয়সৰ বিখ্যাত চিত্ৰাভি নেত্ৰী

যুক্ত প্ৰদেশৰ এজনী ছোৱালীয়ে পাঁচ বছৰ বয়সতে চিত্ৰাভিনয়ত অতি নৈপুণ্য দেখুৱাই সকলোকে চমক



পাঁচ বছৰীয়া চিত্ৰাভিনেত্ৰী বেবী ৰাণী

লগাইছে। তেওঁৰ নাম বেবী ৰাণী। বৰ্ত্তমানে তেওঁ 'সত্যৰ সন্ধান' বোলা ছবিত বিশেষ কৃতিত্বৰ অভিনয় দেখুৱাইছে।

এগৰাকী মুছলমান সংস্কৃত পণ্ডিত

ডাঃ মহম্মদ চাহিদুল্লা এম-এ এজন অতি মেধাৱী পুৰুষ। বিশেষকৈ তেখেতৰ সংস্কৃত ভাষাৰ পাণ্ডিত্যই সকলোৰে শ্ৰদ্ধা লাভ কৰিছে। বৰ্ত্তমানে তেখেত ঢাকা বিশ্ববিদ্যালয়ৰ সংস্কৃত আৰু বঙালী ভাষা বিভাগৰ প্ৰধান অধ্যাপক নিযুক্ত হৈছে।



ডাঃ মহম্মদ চাহিদুল্লা এম-এ

ভাৰতীয় পৃথিৱী পৰিভ্ৰমণকাৰী

মিঃ এ, এম আলিভাই লামুৱালা এজন উৎসাহী ভাৰতীয় ডেকা। তেওঁ গোটেই পৃথিৱী, চাইকেলেৰে



পৃথিৱী পৰিভ্ৰমণকাৰী মিঃ এ, এম আলিভাই

ভ্ৰমণ কৰিবৰ মনেৰে ওলাই এতিয়ালৈকে ৩০,০০০ মাইলৰ ওপৰ ভ্ৰমণ কৰিছে।

বিবিধ

চেক্সপিয়াৰৰ ভাষাজ্ঞান

আমেৰিকাৰ মিঃ এণ্ডাৰছন, এম বেটেনে পূৰা ৮ বছৰ পৰিশ্ৰম কৰি চেক্সপিয়াৰ সম্বন্ধে এখন 'এন চাইক্লো পিডিয়া' কৰি উলিয়াইছে। এই গ্ৰন্থ খনি ১৫০০ পাতৰ আৰু তাত ১,৫০০,০০০ শব্দ আৰু ১০০,০০০ বেলেগ বেলেগ প্ৰবন্ধ আছে। নিউ টেষ্টামেণ্টত থকা ৫,০৪২ শব্দৰ উপৰিও ১৫০০০ নতুন শব্দৰ প্ৰয়োগ চেক্সপিয়াৰৰ লেখাত পোৱা যায়। এই প্ৰত্যেকটি শব্দৰ প্ৰয়োগ থকা বাক্যবোৰ এই গ্ৰন্থত তুলি দিয়া হৈছে। চেক্সপিয়াৰ বৰ শান্তিপ্ৰিয় আছিল, কাৰণ তেওঁৰ লেখাত 'love' শব্দটো ২ ৫৫৯ বাৰ পোৱা যায় আৰু 'hate' শব্দটো মুঠে ২২৮ বাৰ হে আছে।

আমেৰিকাত ৰাজদোষ (Crime)

আমেৰিকাৰ 'নেশ্যনেল ক্ৰাইম কমিশ্যনে' প্ৰকাশকৰা বাতৰিৰ পৰা জানিব পৰা যায় যে তাত বছৰি হত্যাকাণ্ডৰ সংখ্যা ১২,০০০ ; নাৰীহৰণ ৩,০০০; ডকাইটি ৫০,০০০ ; চুৰি ৭০০০ আৰু আক্ৰমণ ১০০,০০০। আৰু তাত আকৌ উল্লেখ কৰা হৈছে যে আমেৰিকাৰ প্ৰায় ১,০০০,০০০ মানুহ ৰাজদোষত অভিযুক্ত আৰু আচলতে ৰাজদোষত লিপ্ত থকা।

পৃথিবীৰ আটাইতকৈ ভাল ক্ৰীকেট খেলুৱৈৰ দল

অষ্ট্ৰেলীয়াৰ বিখ্যাত ক্ৰীকেট খেলুৱৈ এ, এ মেইলীয়ে কয় যে তলত দিয়া ক্ৰীকেট খেলুৱৈ সকলৰে গঠিত দলটো পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ দল হব আৰু সেই দলৰ আটাইতকৈ উপযুক্ত দলপতি হব জাৰ্ডিন। দলটো গঠিত হব

১।	ডি, আৰ জাৰ্ডিন	(ইংলণ্ড)
২।	ডবলিউ হেমণ্ড	"
৩।	এম লেলেণ্ড	"
৪।	এইচ, লাৰউড	"
৫।	ব্ৰাডম্যান	(অষ্ট্ৰেলীয়া)
৬।	ডবলিউ, এইচ, পন্সফোৰ্ড	"
৭।	এচ, জে মেকেৰী	"
৮।	ডবলিউ জে ওৰেলী	"
৯।	এল উডস্মিথ	"
১০।	ডবলিউ, এ ওল্ডফিল্ড	"
১১।	এল, এন কনষ্টেন টাইন (ৱেষ্ট ইণ্ডিজ)	

পৃথিবীৰ বয়স

বৈজ্ঞানিক সকলে নিৰ্ণয় কৰিছে যে পৃথিবীৰ বয়স ১৭ কোটী ৫০ লাখ বছৰ। সূৰ্য্যৰ বয়স তেওঁলোকৰ মতে ৮০ লাখ বছৰ।

পৃথিবীৰ নিবনুৱাৰ সংখ্যা

এখন বিখ্যাত বিলাতী বাতৰি কাকতত প্ৰকাশ যে গোটেই পৃথিবীত নিবনুৱাৰ সংখ্যা ২ কোটী ২০ লাখ হব। বোধহয় এই হিচাবত ভাৰতৰ নিবনুৱাৰ সংখ্যা ধৰা হোৱা নাই।

আমাৰ হাওফাওৰ শক্তি

আমাৰ হাওফাওৰ ভিতৰত ৬০ সেৰ বতাহ ৰাখিবৰ ঠাই আছে। সাধাৰণতঃ ৩৸০ সেৰ বতাহেৰে পূৰ হয়। প্ৰত্যেক বাৰ উশাহ-নিশাহ লোৱাৰ সময়ত আমি ১৫ ছটাক টানি লওঁ ১০ ছটাক উলিয়াই দিওঁ।

অদ্ভুত মকৰা

জামেকা আৰু সিংহলত এবিধ অতি ক'লা ৰঙৰ মকৰা আছে। সিহঁতে জালত পেলাই ডাঙৰ পখী আৰু সৰু জন্তু আদি ধৰি খাব পাৰে। দক্ষিণ আমেৰিকাতো এবিধ মকৰা আছে—সিহঁতে জপিয়াই মানুহৰ গাত পৰি গাৰ মাংস কুটি খায়। ইহঁতৰ কামোৰত মানুহ বলিয়া হয় আৰু শেষত মৰে।

নতুন যন্ত্ৰ

জাৰ্ম্মানীৰ দুই এটি ডাঙৰ ষ্টেশ্যনত একোটি অভিনৱ যন্ত্ৰ ৰখা হৈছে। জাৰ্ম্মান ভাষা নজনা মানুহৰ পক্ষে এই ব্যৱস্থা। "ক'ত হোটেল?" এই কথাৰ উত্তৰ যি ভাষাত লাগে সেই ভাষাত পাবলৈ যন্ত্ৰটিত থকা সেই ভাষাৰ ছাবি এটি টিপিলেই পোৱা যায়। তেতিয়া সেই ভাষাত ছপোৱা হোটেল বোৰৰ নাম, ঠিকনা, ষ্টেশ্যনৰ পৰা কিমান দূৰ আৰু খৰচ আদিৰ বিৱৰণেৰে সৈতে এখন কাগজ তৎক্ষণাৎ তাৰ ভিতৰৰ পৰা ওলাই আহে।

কুৱঁলী ধ্বংস কৰিব পৰা উপায়

শীত প্ৰধান দেশত কুৱলী যান-বাহন আদি চলা-চলত বিশেষ বাধা দিয়ে। ৰাতিৰ আন্ধাৰৰ মাজত বিজুলী চাকি নাইবা আন পোহৰৰ ব্যৱস্থা কৰি কাজ চলাব পৰা যায়। কিন্তু কুৱঁলীত সিও সম্ভৱ নহয়। এই কুৱলীয়ে য়ুৰোপ আমেৰিকা আদি দেশত সময়ে সময়ে বিশেষ ক্ষতি কৰে। বৰ্ত্তমানে আমেৰিকাৰ বৈজ্ঞানিক এজনে এবিধ ৰাসায়ণিক বস্তু (Spray) উলিয়াইছে। তাৰ সহায়ত ২০০০ ফুট দীঘল, ১০০ফুট বহল আৰু ৩০ফুট ওখ পৰিমাণৰ কুৱঁলী তিনি মিনিট সময়ত ধ্বংস কৰা যায়।

ছদ্মবেশী

(আগৰ সংখ্যাৰ পাছৰপৰা)

উপন্যাস— —শ্ৰীযুত শান্তিৰাম দাস বি-টি

তৃতীয় আধ্যা

মিঃ কাৰ্লাইলৰ অফিচত

ৱেষ্টলিনিৰ ঠিক মাজ ভাগতে দুখন ঘৰ, চাৰিউফালে মুকলি ঠাই। ঘৰ দুখনৰ ডাঙ্গৰখন এটা সুন্দৰ পকাঘৰ—সেয়েই মিঃ কাৰ্লাইলৰ (আইনতঃ বাইদেৱেক কৰ্ণেলিয়াৰহে) থকাঘৰ আৰু আনখন তাৰ সমুখতে অলপ আঁতৰত—এটা সৰু ধুনীয়া চ'ৰা ঘৰ। সেয়ে কাৰ্লাইলৰ অফিচঘৰ।

বুঢ়া কাৰ্লাইল চাহাব আৰু ডেভিডচন্ চাহাব বৰ নামজলা জনপ্ৰিয় উকীল আছিল। তেওঁলোক দুজনৰ আৰ্থিক অৱস্থাও টনকিয়াল আছিল—কাৰণ আয় আছিল যথেষ্ট। তেওঁলোক দুয়োজন বৰ বন্ধু আছিল। কাৰ্লাইল চাহাবে ডেভিডচন্ চাহাবৰ ভনীয়েকক বিয়া কৰাইছিল। সেই মিচেছ কাৰ্লাইল এজনী মাথোঁ ছোৱালী (মিছ কৰ্ণেলিয়া—ওৰফে কৰ্ণি) ৰাখি অকালতে ঢুকায়। তেওঁ ঢুকোৱাৰ পিছত কাৰ্লাইল চাহাবে দ্বিতীয় বাৰ পত্নী গ্ৰহণ কৰে। এইজনা মিচেছ কাৰ্লাইলে এজন মাথোঁ লৰা (আৰ্কিবল্ড্ কাৰ্লাইল ওৰফে মিঃ কাৰ্লাইল) জন্ম দিয়ে সুতিকা গৃহতে স্বৰ্গী হয়। মিছ্ কৰ্ণিয়ে আৰ্কিবল্ডক তুলি-তালি ডাঙৰ দীঘল কৰে। তেওঁ কাৰ্লাইলক মাকৰ চকুৰে খুৱাইছিল, ধুৱাইছিল, মৰম চেনেহ কৰিছিল—কিন্তু বাঘিনী চকুৰে চাই শাসন কৰিছিল। কাৰ্লাইলেও—মিছ কৰ্ণিক মানি চলিছিল। তেওঁ চিৰ-কুমাৰী অৰ্থাৎ চিৰকাল অবিবাহিতা হৈয়ে থাকিল। তেওঁ ভাল পোৱা বস্তুৰ ভিতৰত প্ৰথম কাৰ্লাইল আৰু দ্বিতীয় ধন-সম্পত্তি। তেওঁ সংসাৰত আৰু কোনো বস্তুকে ভাল পাইছিল নে নাই সন্দেহ, কাৰণ তেওঁ এপয়ছা খৰচ হলেই মৰিব খোজে। কোনোৰূপে অবাবত অৰ্থ হানি হলে—মিঃ কাৰ্লাইলকো তেওঁ বেয়া পাইছিল আৰু মাজে সময়ে বকিছিল।

মিঃ কাৰ্লাইল অফিচ ঘৰত মেজৰ ওচৰত বহি আছে—সন্মুখত কাগজ কলম। তেওঁৰ বিশ্বাসী বুঢ়া মহৰি ভিল কাষতে থিয়হৈ মেজৰ ওপৰত কাৰ্লাইলৰ অনুপস্থিতিত কি কি কৰা হল, কি কি আৰু লাগিব, বুজাই দিবলৈ ধৰিছে। এনেতে আন এজন মহৰিয়ে বাতৰি দিলেহি, "দেউতা, কৰ্ণেল বিডেল প্ৰমুখ্যে জষ্টিছ সকল আহিছে।"

"অলপ বহিব কোৱাগৈ" বুলি কৈ কাৰ্লাইলে মহৰি জনক বিদায় দি, ভিলক কলে, "বাৰু সেইবোৰ ঠিক কৰাগৈ। কিন্তু ভিল এটা কথা—২।১ দিনতে ইষ্টলিনি সম্বন্ধীয় কাগজবোৰ পাবহি—সেইবোৰ তুমি পুঙ্খানুপুঙ্খৰূপে পঢ়ি চাবা—একেবাৰে ইহুদী চকুৰে চাবা।" কথা শুনি ভিল মহৰিয়ে মূৰ দোঁৱালে। মিঃ কাৰ্লাইলে কৈ গ'ল, "ইষ্টলিনি বিক্ৰী হবই—হস্তান্তৰ হবই—তাৰ অন্যথা হব নোৱাৰে। মাউণ্ট চেভাৰ্ণ, লৰ্ড উইলিয়ামৰ নিচিনা ঋণগ্ৰস্ত জমিদাৰ এজনৰ সম্পত্তি কিনোতে খুব সাৱধানে চলা আৱশ্যক। তুমি কি কোৱা ভিল?"

"হয় দেউতা, নিশ্চয়, নিশ্চয়।"

"কিন্তু এই বিক্ৰী আৰু হস্তান্তৰ সম্বন্ধে যেন শব্দ এটিও বাহিৰত প্ৰচাৰ নহয়। ইষ্টলিনি খুব গুপ্তভাৱে বিক্ৰী হব।"

"বেছ, কোনো কথা নাই। কিন্তু গ্ৰাহক কোন? দেউতা, ইষ্টলিনি বাস্তৱিকে এখন সুন্দৰ জমিদাৰী।"

মিঃ কাৰ্লাইলে হাঁহি এটি মাৰি কলে, "বাৰু, কোনোৱে নজনাৰ আগতে তুমিয়ে জানিবা প্ৰথম কোন গ্ৰাহক। যোৱা, এতিয়া জষ্টিছ সকলক ভিতৰলৈ পঠাই দিয়াগৈ।

ভিলে কৰ্ত্তাৰ আদেশমতে কাম কৰি নিজৰ খোঁটালীত সোমাই মেজৰ ওপৰত কিবাকিবি লিখি বহি আছে, এনেতে মিছ বাৰবাৰা ভিলৰ মেজৰ ওচৰত থিয় হলহি। সুধিলে "মিঃ কাৰ্লাইলক দেখা কৰিব পাৰোনে ?"

ভিল—নমস্কাৰ মিছ, হেয়াৰ। তেওঁক দেখা কৰিব পাৰিবা—অলপ অপেক্ষা কৰা। তেওঁ এইমাত্ৰ জষ্টিছ সকলৰ লগত মেলত বহিছে।

জষ্টিছ সকলৰ নামশুনি মিছ বাৰবাৰাৰ তালুত জিভা লাগিল, কাৰণ তেওঁলোকৰ ভিতৰত মিঃ হেয়াৰো এজন। বাৰবাৰা পিতাকৰ অবিদিতে তালৈ আহিছিল—তেওঁ এই কথা জানিলে—সৰ্ব্বনাশ! বাৰবাৰা ভয়ত অস্থিৰ। কিছু সময়ৰ মূৰত মিঃ হেয়াৰ প্ৰমুখ্যে জষ্টিছ সকল বাহিৰ ওলাই গ'ল—বাৰবাৰাৰ জিভাত পানী আহিল। ভিলে বাৰবাৰাক হাতত ধৰি নি—কাৰ্লাইলৰ আগত থৈ আহিল গৈ।

কাৰ্লাইলে বাৰবাৰাক অসময়ত অফিচঘৰত উপস্থিত হোৱা দেখি আচৰিত মানিলে। বাৰবাৰায়ো কলে, "কাৰ্লাইল দা, ক্ষমা কৰিবা—অসময়ত দেখি। মই ইয়ালৈ নিজ স্বাৰ্থৰ কাৰণে অহা নাই। মোক আয়ে পঠাইছে, তোমাৰ লগত বৰ বিশ্বাসী কথা এটি আছে।" কাৰ্লাইলে কোনোমতে নামাতি ওচৰতে থকা চকী খনত বাৰবাৰাক বহিবলৈ দেখাই নিজে আন এখন চকীত বহিল।

কাৰ্লাইলৰ গহীন গম্ভীৰ মূৰ্ত্তি। বাৰবাৰাই দেখিলে—তেওঁৰ সেই কুঞ্জবনত হাতত ধৰাধৰি, গলাগলি, আকলুৱা চুমা, সাৱটা-সাৱটি, হাঁহিভৰা মুখ, চকুত চাৱনি উপচি পৰা মূৰ্ত্তি নহয়। প্ৰশান্ত, গহীন গম্ভীৰ, ধীৰ-স্থিৰ কঠোৰ ব্যৱহাৰজীৱী মূৰ্ত্তি। গতি বিষম দেখি বাৰবাৰাই নিজে নিজে ফুচফুচাই কৈ গল, "তোমাৰ আগত কবলৈ মোৰ এটা বৰ সাংঘাটিক কথা আছে। পিছে বাহিৰৰ পৰা কোনোৱাই শুনে জানোচা" বুলি কৈ ভয়তে চক খাই উঠা দি উঠিল। তাকে দেখি কাৰ্লাইলৰ মাত ফুটিল—"কোনো ভয় নাই।"

বাৰবাৰা চকীৰ পৰা উঠি—হাত দুখন মেজৰ ওপৰত থৈ কাৰ্লাইলৰ প্ৰায় গাত লগালগিকৈ থিয় হলগৈ। কাৰ্লাইলো উঠিল। বাৰবাৰাই ফুচফুচাই আৰম্ভ কৰিলে, "ৰিচাৰ্ড ককাইদেউ ইয়ালৈ আহিছে।" কাৰ্লাইলে আচৰিত হৈ কলে, "ৰিচাৰ্ড! ৱেষ্টলিনিত ?"

"এৰা, ৱেষ্টলিনিত। কালি ৰাতি আমাৰ কুঞ্জবনলৈ আহি মোক দেখা কৰিছিল। তেওঁ সদায় লণ্ডনতে আছে, আন কলৈকো যোৱা নাই। তেওঁ ভেশছন কৰি আধা উপবাসে—কবলৈ লাজ লাগে—এখন ঘোঁৰাশালত—আহা! তেওঁ হেনো নিৰ্দ্দোষী।"

কাৰ্লাইলে কোনো উত্তৰ নিদিলে—বোধহয় বাৰবাৰাৰ কথা বিশ্বাস নকৰিলে। "বহা বাৰবাৰা" বুলি কৈ চকী খন ওচৰ চপাই দিলে। দুয়ো বহিল। বাৰবাৰাই সুধিলে, "কোনো মানুহ ইয়ালৈ নাহিবনে ?"

"কোনো ভয় নাই। মোৰ বিনা অনুমতিতে কেও ইয়ালৈ আহিব নোৱাৰে। বাৰু, ৰিচাৰ্ডৰ বিষয় কি কলা ?"

"তেওঁ কয় যে হত্যাকাণ্ড ঘটা ঠিক সেই মুহূৰ্ত্ততে তেওঁ হেনো ঘৰৰ ভিতৰত নাছিল। আচলতে এই ঘটনাটো—যিজনে ঘটাইছে সেইজন বোলে কোনোবা "থৰ্ণ" আছিল।"

"কোন থৰ্ণ ? কৰ মানুহ ? কত থাকে ?"

"মই নাজানো। তেওঁ কয় থৰ্ণ, এফিৰ পৰম বন্ধু। কাৰ্লাইল দা, বিশ্বাস কৰিবা, তেওঁ শপত খাই দঢ়াই দঢ়াই কৈছে যে তেওঁ একেবাৰেই নিৰ্দ্দোষী। তুমি অনুগ্ৰহকৈ তেওঁক এবাৰ লগ ধৰিবানে ? মই তোমাৰ চৰণত ধৰি কাবৌ কৰিছো,—এবাৰ লগ ধৰি আহি কাতৰ অনুৰোধ ৰক্ষা কৰা। তেওঁ আজি ৰাতি ৮॥ বজাত কুঞ্জবনলৈ আহিব। তেওঁ যদি তোমাক আচল কথাটো ভাঙি পাতি কব পাৰে, তেন্তে তুমি হয়তো আচল ঘটনাৰ শুংসূত্ৰ কিবা এটা উলিয়াব পাৰিবা। কিজানি তেওঁ উদ্ধাৰ পাবগৈ পাৰে। দেহি ঐ! সাতবছৰ সশ্ৰম কাৰাদণ্ড—নহয় দ্বীপান্তৰ। সেয়েহে এই নিৰুদ্দেশ। তুমি কৰিবা, চেষ্টা কৰিলে নিশ্চয় পাৰিবা। তুমি বৰ বুধিয়ক, তুমি নিশ্চয় পাৰিবা।" কাৰ্লাইলে হাঁহি মাৰি

কলে, "কব নোৱাৰো বাৰবাৰা। বাৰু ৰিচাৰ্ডে কি ভেশ ধৰিছে ?"

"এজন হুবহু গাৰোৱান, দীঘল দাঢ়ি লগোৱা। তেওঁ ইয়াৰ পৰা তিনি মাইন আঁতৰত এখন নিৰ্জ্জন ঠাইত লুকাই আছে। ৰাতি ৮॥বজাত আমাৰ কুঞ্জবনত দেখা দিবহি। পিছে পাৰিবাতো ?"

"বাৰু, ভাবি চাওঁ—খবৰ পঠিয়াম।"

"নহয়, খবৰ পঠিয়াব নোৱাৰো—ময়ো আৰু ইয়ালৈ নাহো কাৰণ কোনোবাই দেখা পালে সন্দেহ উপস্থিত হব পাৰে। তেন্তে এটা কাজ কৰিবা—আবেলি ৪মান বজাত আমাৰ নঙলাইদি ফুৰিবলৈ যাবা—আৰু মোক শুনাকৈ কি হয় কৈ যাবা, মই তুমি যোৱা দেখিলে পদূলিতে ৰৈ থাকিম। পাৰিবানে ?"

"বাৰু, সেয়ে হব, যোৱাঁগৈ এতিয়া।"

"তেন্তে আহো এতিয়া" বুলি কৈ বাৰবাৰা বিদায় হল। কাৰ্লাইলে বাৰবাৰাক দুৱাৰ মুখত আগবঢ়াই থলেগৈ। দুৱাৰ বন্ধ কৰিছে, এনেতে শেন চৰায়ে কপৌ ধৰাৰ দৰে মিছ্ কৰ্ণিয়ে বাৰবাৰাক থাপ মাৰি ধৰি গৰ্জ্জি উঠিল—"কি ? কাৰ্লাইলৰ লগত অতবেলি কেলেই ?"

বাৰবাৰাই ভগা মাতেৰে কঁপি কঁপি উত্তৰ দিলে,—"মোক আয়ে পঠাইছিল বাইদেউ।"

"আয়েৰাই পঠাইছিল ? মিছা কথা। মই তেনে কথা বিশ্বাস নকৰোঁ। মই এবাৰ নহয় দুবাৰ কাৰ্লাইলৰ ওচৰলৈ গৈ উভতি আহিছোঁ। বুঢ়া ভিলে ফাঁকি দিছে, তাক এসেকা দিহে এৰিম।"

বাৰবাৰাই ভয়তে কলে, "আয়ে কাৰ্লাইলদাক—কিবা কথা এটা সুধিবলৈ পঠাইছিল, কাৰণ তেওঁ উঠিব নোৱাৰে, গা অসুখ।"

কৰ্ণিৰ তথাপি বিশ্বাস নহল। সুধিলে, "কি কাম ?"

"কিবা অলপ পইছাৰ বাবে বাইদেউ।"

মিছ কৰ্ণিয়ে কথা শুনি অলপ ভাবিলে—বাৰবাৰাৰ লগে লগে বাহিৰ ওলাই গ'ল। কথাই কথাই চতুৰা কৰ্ণিয়ে আজলী বাৰবাৰাৰ পৰা আচল কথা উলিয়াই থাকিলে।

কাৰ্লাইলে ঘৰ সোমাই মেজৰ ওচৰলৈ গৈ এজন কেৰাণীক মাতি আনিলে—আৰু কলে, "এতিয়াই ৰং ঘৰলৈ গৈ মিঃ হেয়াৰ প্ৰমুখ্যে জষ্টিছ সকলক এইপিনে আহিবলৈ কৈ আহাঁগৈ।"

* * *

জষ্টিছ সকল আহিল। মিঃ কাৰ্লাইলে তেওঁলোকক ৰাতি ৮ বজাত চাহ খাবলৈ নিমন্ত্ৰণ কৰিলে। মিঃ হেয়াৰক লক্ষ্য কৰি কলে, "আপুনি যেনে হওক আহিব, নাহিলে বৰ দুখ পাম।"

জষ্টিছ সকলে নিমন্ত্ৰণ গ্ৰহণ কৰি ৰং মনেৰে ঘৰাঘৰি গ'ল। মিছ কৰ্ণি কাৰ্লাইলৰ ওচৰত থিয় দিলেহি। কাৰ্লাইলে গম্ভীৰ ভাবে সুধিলে, "কি লাগে বাইদেউ ?"

কৰ্ণি—কিহে লাগেনে? এই হেয়াৰ পৰিয়ালৰ লগত এইখন কি পাতিছা ? তাই কয় যে মাকৰ কিবা জৰুৰি কাম। কি কাম ?

কাঃ—অ', সেই হতভাগা ৰিচাৰ্ড গাধটোৰ কথা। সেই বিষয়ে কিবা এটা কথা সুধি পঠাইছিল। বাৰু, কালি কেজনমান বন্ধুক চাহ খাবলৈ মাতিছোঁ বাইদেউ, ৰাতি ৮ বজাত।

মিছ কৰ্ণি কথা শুনি শিহৰি উঠিল,—"বন্ধুৰ দল, আড্ডা পাতিব মাতিছা। নহয়—হব নোৱাৰে।"

"নহয় বাইদেউ, জষ্টিই সকল আহিব। নাজানানে ব্যৱহাৰ-জীৱী মানুহ—কোন পিনে কি ৰোজগাৰ হয়।"

ৰোজগাৰ অৰ্থাৎ কিবা লাভৰ কথা যেন ভাবি মিছ কৰ্ণি মনে মনে থাকিল। তেওঁ—এক নিমাত হয় ধনৰ কথাত—আন কথাত নহয়, সাক্ষাৎ বাঘিনী।

কিছুপৰ নিমাত থাকি কৰ্ণিয়ে আকৌ সুধিলে, "নহয়, বাৰবাৰা আৰু তোমাৰ মাজত কি গোপনীয় বিশ্বাসী কথা আছে ভাঙি কোৱা।"

"বাৰু বাইদেও, তুমি যদি ভাল পোৱা তেন্তে কওঁ শুনা। কিন্তু কোনো সুখৰ কথা নহয়—বৰ সাংঘাতিক দুখ লগা কথা। ৰিচাৰ্ড হেয়াৰ ইয়ালৈ আহিছে; তাক ৰূপ কেই টকামান লাগে।" মিছ কৰ্ণি আচৰিত হৈ কলে, "ৰিচাৰ্ড হেয়াৰ ? সি পাগল নেকি ?" "এৰা, ৰিচাৰ্ড হেয়াৰ। সি ইয়াৰ পৰা তিনি মাইলমান আঁতৰত লুকাই

আছেহি। আজি ৰাতি ৮॥ বজাত সিহঁতৰ কুঞ্জবনলৈ আহিব—টকা নিবলৈ আহিব। মই জষ্টিছ সকলক চাহ খাবলৈ মাতিছোঁ; তেওঁলোকৰ লগতে মিঃ হেয়াৰো নিশ্চয় আহিব। কাৰণ মিঃ হেয়াৰক আঁতৰত ৰাখিব নোৱাৰিলে—হাতে হাতে বিপদ।"

কথা শুনি মিছ কৰ্ণিয়ে হুমুনিয়াহ এটা চাৰিলে। কাঃ-"তেনেহলে এতিয়া শুবলৈ যাওঁ বলা।" মিঃ কাৰ্লাইলে কেৰাণী এজনক মাতি আনি হাতত এখন চিঠি দি কলে, "আজি ৰাতি ৮—১৫ মিঃ এই চিঠিখন মোক দিবা আনি।" সকলো ঘৰাঘৰি গল।

চতুৰ্থ আধ্যা

ৰিচার্ড হেয়াৰ

সন্ধিয়া ৭॥ বজাত জষ্টিছ সকলা কাৰ্লাইলৰ অৰ্থাৎ মিছ কৰ্ণিৰ ঘৰত উপস্থিত হলহি। আটাইতে মেজৰ চাৰিও-ফালে বহিলহি। মিছ কৰ্ণিয়ে চিগাৰেটৰ ধোঁৱাঁ আৰু মদপানীৰ তীব্ৰ গোন্ধ সহ্য কৰিও তেওঁৰ নিজ ঘৰত অতিথি সেৱক হৈ থাকিবলৈ বাধ্য হল। কথাবাৰ্ত্তা আৰম্ভ হল—কথা চলিল; এনেতে চাকৰ এজনে কাৰ্লাইলক খবৰ কলেহি, "দেউতা, ভিল কেৰাণীয়ে আপোনাক দেখা কৰিবলৈ বাহিৰত বৈ আছেহি।" কথাশুনি কাৰ্লাইল খন্তেক ওলাই গল আৰু মুহূর্ত্তকতে হাতত এখন খোলা চিঠি লৈ জষ্টিছ সকলৰ মেজৰ ওচৰ চাপিলহি। জষ্টিছ সকলৰ ফালে চাই দুখ মনেৰে কলে, "মই আপোনা-লোকক আধাঘণ্টা মানৰ নিমিত্তে এৰি গৈ বেজাৰ দিব খুজিলোঁ। হঠাৎ এটা বৰ জৰুৰি কাম ওলাল। মই নগলেই নহয়। মই যিমান সোনকালে পাৰো তিমান সোনকালে উভতিম। তাৰ বাবে কোনো বেজাৰ নাপায় যেন।"

কথা শুনি মিছ কৰ্ণিয়ে চকু থিয় কৰি প্ৰশ্ন কৰিলে, "কোনে মাতিছে?" ততালিকে কাৰ্লাইলে মিছ কৰ্ণিক চকুৰ চাৱনি মাৰিলে—"সাৱধান কোনো প্ৰশ্ন নকৰিবা—ননত কৰি চোৱাঁ।"

কাৰ্লাইল নীৰৱে বাহিৰ ওলাই গ'ল। তেওঁ বেগা-বেগিকৈ গৈ হেয়াৰ পৰিয়ালৰ কুঞ্জবনৰ দুৱাৰ মেলিলে গৈ। কিছু সময় বিয় হৈ কাণপাতি থাকি কোনো সঁহাৰি নাপাই, বাৰবাৰাইতৰ—ঘৰফালে খোজ ললে। বাৰ-বাৰাই বিৰিকিৰে বাহিৰৰ ফালে চাই আছিল, কাৰ্লাইলক দেখা পাই তেওঁ তৎক্ষণাৎ নামি আহিল আৰু কাৰ্লাইলৰ ওচৰলৈ গৈ কাণে কাণে কলে, "আই, একেবাৰে অধৈৰ্য্য হৈ পৰিছে।"

কাৰ্লাইলে সুধিলে,—"ৰিচার্ড আহিছেনে?"

"নিশ্চয় আহিছে, কিন্তু কোনো চিন-মোকাম দেখা নাই।"

"বাৰবাৰা।" বুলি কৈ কাৰ্লাইলে একেচাপেই মিচেছ হেয়াৰৰ ওচৰ পালেগৈ আৰু টকাৰ টোপোলা এটা তেওঁৰ হাতত দি কলে, "এয়া ৰিচার্ডৰ বাবে, সমুদায় নোট, কাৰণ টকাতকৈ ইয়াক লৈ ফুৰিবলৈ নিৰাপদ।"

কৃতজ্ঞতাৰ চকুলো মুছি মিচেছ হেয়াৰে সুধিলে "বাৰ, মহো তাক এবাৰ চাবলৈ যাব পাৰোনে?"

"নোৱাৰে। পাকঘৰৰ ফালে চাকৰবহতে কিবা গম পাবনে?" বাৰবাৰাই কলে, "নাই, কোনো ভয় নাই। আজি মাইৰ জন্মদিন, সেই দেখি সিহঁতক আজি ৰথেষ্ট পৰিমাণে মদ, মাংস দিয়া হৈছে। সিহঁতে খাই-বৈ আমোদ আহ্লাদ কৰিছে—ইফালে কাণসাৰ নাই।"

মিঃ কাঃ—বাৰবাৰা তেনেহলে নিৰাপদ।

সিফালে জষ্টিছ হেয়াৰো কৰ্ণিৰ ঘৰত আমোদ আহ্লাদত ৰহিছে, তেন্তে ভয় কিহৰ? কাৰ্লাইলে মিচেছ হেয়াৰক কলে, "বাৰা, ৰিচার্ডক ইয়ালৈ অনা হব, আপুনি যাবলৈ নালাগে—শুই থাকক।"

এনেতে বাৰবাৰাই কাৰ্লাইলৰ গাত হাত দি কলেহি, "সৌ যে ৰিচার্ড ককাইদেউ।"

কাৰ্লাইলে চকু ফিৰায়েই মিচেছ হেয়াৰক কৈ গ'ল,—"মই ৰিচার্ডক লগ পাওঁ যদি সোনকালে আহিব নিৰ্দ্দিওঁ। কাৰণ মই আগে মোৰ কথাবাৰ্ত্তা খিনি আদায় কৰি লৈ ঘৰলৈ যামগৈ আৰু তাত মিঃ হেয়াৰক ৰাখি থমগৈ।



শ্ৰীযুতা অমৃত কাণৱৰ

মুদ্ৰণ অফ ইণ্ডিয়া প্ৰেছ, কলিকতা

তেতিয়া আপোনালোকে বিচার্ডক দেখা কৰি সোনকালে বিদায় দিব, বেছি পলম নকৰিব। মই আহিলোঁ।"

কার্লাইল গুচি গ'ল, কুঞ্জবনত সোমালেগৈ। এজোপা গছৰ গুৰিত বিচার্ড আউজি থিয় দি আছে। তেওঁ এজন চঞ্চল ডেকা কিন্তু ভেশচনৰ মুখাপন পিন্ধি কিবাটো হৈছেগৈ।

কার্লাইল আৰু বিচার্ডৰ দেখাদেখি হল চিনা-চিনি হল। কথা-বতৰা আৰম্ভ হল, বিচার্ডে সুধিলে, "মাই ইয়াঁলৈ আহিব পাৰিবনে?"

"নোৱাৰে, তুমিয়ে তাঁলৈ যাবাগৈ। পিতাৰা ঘৰত নাই, চাকৰহতো পাক ঘৰত ধলং পটং দি পৰি আছে—কোনো ভয় নাই।"

"তেনেহলে ভিতৰলৈ যাওঁ বলা। কিন্তু মই খুব সোনকালে আঁতিৰিব লাগিব। টকা পামনে?"

"বাৰু—পাবা অস্থিৰ নহবা। কিন্তু বিচার্ড, তোমাৰ ভনীয়েবাই কৈছে যে তুমি মোক সেই দুর্ঘটনাটো ভাঙি কবা। কাজেই ঘৰ নৌপওঁতেই বাটতে কথাটো কি আগে ভাঙি পাতি কোৱা।"

"বাৰবাবাইহে মোক কৈছে—তোমাৰ আগত কথাটো ভাঙি কবলৈ। ভাঙিকলেও একো গুণ নহয়—কাৰণ মই কাকো বিশ্বাস নকৰোঁ।" বুলি কৈ বিচার্ডে এটা চুমুনিয়াহ চাবিলে।

"বাৰু, মোক এবাৰ বিশ্বাস কবা—কিন্তু খুব সহজ ভাবে অলপীয়া কথাৰে আচল কথাটো ভাঙি কোৱা।"

"বাৰু তেন্তে কওঁ শুনা—মোক সকলোৰে ভাবে আৰু কোৱাও শুনো যে মই এফিৰ ঘৰলৈ যাওঁ। বোধ হয় কেতিয়াবা এদিন দুদিন গৈছিলোঁ।—কিন্তু আৰু নাযাওঁ। সিদিনা ঘন গধূলি—এফিৰ বাপেক হেলিজোন চাহাবে বাটতে লগ পাই তেওঁ মোৰ বন্দুকটো এদিনৰ বাবে খুজিছিল—কাৰণ তেওঁৰটো হেনো কিবা অলপ বেয়া হৈছিল—ভাল কৰিবলৈ মিস্ত্রীৰ ঘৰত দিছিল। ময়ো সিদিনা বাতি এফিক...,আন এজন দেখা পাম বুলি...,বাৰু নালাগে।"

বিচার্ডে কথা বন্ধ কবা দেখি কার্লাইলে কলে,"বিচার্ড, এটা পুবণি কথা আছে—অৱশ্যে খুব মূল্যবান উপদেশ—যে তোমাৰ উকীল আৰু ডাক্তৰক আচল গুপ্ত কথাটি হলেও ভাঙ্গি কবা; তেহে কার্য্য সিদ্ধি। যদি মই তোমাৰ নিমিত্তে কিবা চেষ্টা কৰিব লাগে—তেন্তে ঠিক আচল কথা কি কবলৈ লাজ লগা হলেও ভাঙ্গি কোৱা, নহলে শুনুনো। ই ধর্ম্ম বিশ্বাস বুলি মনত ৰাখিবা।" বিচার্ডে আৰম্ভ কৰিলে, "যদি কবই লাগে, কওঁ শুনা। মই এফিক ভাল পাইছিলোঁ। আৰু তাইক বিয়া.....।

"তোমাৰ বিবাহিতা স্ত্রী?"

"এৱা, কিন্তু পিতাৰ বাধা।"

"বাৰু কোৱাঁ। তাই তোমাক ভাল পাইছিল নে?"

"ঠিক কব নোৱাৰোঁ—নাজানো। কেতিয়াবা ভাল পাইছিল—আৰু কেতিয়াবা তাৰ বিপৰীত ভাব দেখুৱাইছিল, কাৰণ কেতিয়াবা গধূলি মই উভতি যাব লগাত পৰিছিলোঁ। তাই মোক ঘৰতে সোমাবলৈ নিদিছিল। আন এজন আহিছিল। সি যিদিনাই আহিছিল সিদিনাই মই ফিৰি গৈছিলোঁ। আমি দুয়ো কেতিয়াও একেলগে দেখাদেখি হোৱা নাই, কাজেই সেই সি কোন মই চিনি জানি নাপাওঁ।"

"কোন সি? নাম কোৱাঁ।"

বিচার্ডে মুখটো তললৈ কবি লাহেকৈ কলে,—"সেই পাপীষ্ঠ থর্ণ" কার্লাইলৰ মনত পৰিল—বাৰবাবায়ো সেই নামটোকে কৈছিল। তেওঁ সুধিলে,—"কোন থর্ণ? মইতো তাৰ নাম শুনা নাই।"

আপুনি কিয়, ৱেষ্টলিনিৰ বোধহয় কেৱে তাক নাজানে। সি খুব গোপন ভাৱে ইয়াত আছিলহি। সি ইয়াৰ পৰা কেইমাইলমান আঁতৰত বাহ লৈছিল আৰু সন্ধিয়া মনে মনে আহিছিল।"

"এফিৰ লগত হাঁহি চুপাই মাৰিবলৈ ইমান দুৰৰ পৰা?" এৱা। তাৰ মনত দুখ একো বস্তু নহয়। সি সদায় সন্ধিয়া সময়ত ঘোঁৰা এটাত উঠি আহে আৰু ঘৰৰ ওচৰৰ হাবিয়নিত গছ এজোপাত ঘোৰাটো বান্ধি থৈ এফিৰ লগত ২।৩ ঘণ্টা থাকি গুছি যায়গৈ।

"বাৰু এতিয়া আচল কথালৈ আহাঁ।"

"হেলিজন চাহাবক বন্দুকটো কিবা অলপ বেয়া হৈ পৰি আছিল। তেওঁ মোৰ বন্দুকটো খুজি পঠালে। সিদিনাই গধূলি চেগ বুজি ময়ো আহিম বুলি এফিক জনাই গলোঁ। যথা সময়ত বন্দুকটো হাতত লৈ হেলিজন চাহাবক দিবলৈ গলোঁ। বাটতে দেখি এফি ওলাই আছি বাট ভেটিলেহি—তাই হেনো মোক লগ ধৰিব নোৱাৰে। দুই চাৰি আষাৰ কথা বার্ত্তা হল। লক্-চলি চাহাবে মোক বন্দুকটো হাতত লৈ থাকা দেখা পালে—তেওঁ কোনোবা ফালে ওছি গৈ গৈ। এফিক মই বৰ ভাল পাইছিলোঁ। তাই সিদিনা মোক বিমুখ কৰিলেও তাইৰ হাতত মই বন্দুকটো দি গলোঁ—"পিতাৰাই এইটো খুজিছে, তেওঁক দিবা—কিন্তু বন্দুকত গুলি ভৰোৱা আছে—চাবা সাৱধান।" এফি বন্দুক লৈ ঘৰত সোমাল। মই ওচৰতে হাবিয়নিত থাপ লগোঁ—কাৰণ সন্দেহ হ'ল যে নিশ্চয় পাপীষ্ট থৰ্ণ আহিছে—নহলে এফিয়ে আজি কি কাৰণে বিমুখ কৰিলে ? মই তাতেই থাপ লগোঁ—। লক্চলি কোনোবা ফালৰ পৰা আহি মোক তাতো তেনেকৈ থকা দেখিলে। মোক কিবা সুধিলে—মই একো উত্তৰ নিদি ওভোতাই মুখে দুৱৰ ফালে গলোগৈ, এই হল—দ্বিতীয় সাক্ষী। বন্দুক হাতত লৈ ঘৰৰ পৰা ওলাই আহোঁতে পিতাই কৰ্লে মোৱা বুলি সোধাত, 'কৰ্লেকো নাযাওঁ' বুলি মিছা মাতি আহিছিলো—সেই হল প্রথম সাক্ষী। ২০ কুৰি মিনিটমান পিছতে এফিইতৰ ঘৰৰ ফালে গুলি মাৰাৰ শব্দ শুনিলোঁ। ভাবিলোঁ কোনোবাই চৰাই আদি গুলিয়ালে। বিডেল চাহাবক শব্দৰ ফালে বেগাবেগিকৈ মোৱা দেখিলোঁ। সেই গুলিতে হেলিজনৰ প্রাণ বায়ু উৰি গৈছে।"

বিচার্ড থামিল। অলপ পৰ ভাবিয়েই আকৌ কলে,কেই মিনিটমান পিছতে দেখোঁ যে কোনোবা এজন হেফাই-ফেফাই সেই ফালৰ পৰা লৰি আহিছে—এয়ে থৰ্ণ। সি লৰি গৈ জাপমাৰি ঘোৰাটোত উঠিছেই বায়ু বেগে পলাল। মই আচৰিত হলোঁ—কিহৰ শব্দ ! এফিৰ লগত কিবা কাজিয়া লাগি তাইক কিবা কৰিলে নেকি পাপীষ্টই ? মই এফিৰ ঘৰলৈ লৰ দিলোঁ, একে চাবেই হেলিজনৰ মৃতদেহৰ বুকৰ ওপৰত উঠিলোঁগৈ। ঘটনা দেখি চহ স্থিৰ হল—হেলিজন পাকঘৰৰ মজিয়াত মৰি পৰি আছে। চাৰিওফালে তেজৰ নদী। মোৰ বন্দুকটো কাষতে পৰি আছে—ভিতৰত গুলি নাই, ঘটনা দেখি মোৰ চুটি হেৰাল, অন্তৰত ভয় সোমাল। বন্দুকটো থাপ মাৰি লৈ দুৱাৰ মুখত থিয় হলোঁ। আগত লক্চলিক দেখি বন্দুকটো ঘৰৰ ভিতৰলৈ দলি মাৰি দি লৰ মাৰিলোঁ—।

"এইটো গুৰ সাংঘাতিক ভুল কৰিছা বিচার্ড !"

"নিজৰ মূৰ্খালি ওণোতো এই শাস্তি।" বাক আৰু শুনা "অলপ দুৰ নৌযাওঁতেই বিডেলক লগ পালোঁ। তেওঁক সুধিলো 'সেই পাপীষ্ট থৰ্ণক দেখিলানে ?'

বিডেল—কোন থৰ্ণ ?

বিচার্ড—সেই পাপীষ্ট থৰ্ণ এফিৰ ঘৰলৈ গৈ আছে।

বিডেল—নাই দেখা। মই কোনো থৰ্ণকে নাজানো। তুমিহে দেখো সদায় এফিৰ ঘৰলৈ আহ-যাহ কৰা—আজি নতুনকৈ আকৌ কোন থৰ্ণ আহিল ?

বিচার্ড—বাক—কিবা গুলি মাৰা শব্দ শুনিছিলানে ?

বিডেল—এবা শুনিছিলোঁ।

বিচার্ড—এফিইতৰ ঘৰৰ ফালৰ পৰা তোমাক আহা দেখিছিলোঁ।

বিডেল—নহয় মই তাতেই ইফাল সিফালত হাবিয়নি কবি ফুৰি আছিলোঁ।

বিচার্ড—বাক তুমি থৰ্ণক সঁচাকৈ লগ পোৱা নাই তেনেহলে ?

বিডেল—নাই মই কাকো লগ পোৱা নাই।

কথাখনি—মই শুছি গলোঁ। ভাবিলো কি জানি সঁচাকৈয়ে তেওঁ থৰ্ণক লগ পোৱা নাই—আৰু একো নাজানেও জানোছা।

কথাৰ মুবতে—কার্লাইলে কৈ উঠিল, "আকৌ তুমিও সেই একে নিশাই নিকদ্দেশ। এই সাংঘাতিক ভুল।"

বিচার্ড—এবা, মই এটা ধাধা। মই ভাবিছিলো যে মই ইয়াতেই চাপ-চুপ থাকি যাওঁ—আৰু ঘটনা কেনে-কুৱাত বয়গৈ চাই লওঁ। কিন্তু তুমি সমস্ত নাজানা। হত্যাকাণ্ডৰ ৩।৪ ঘণ্টামান পিছতে মই এফিৰ ঘৰ

গলোগৈ। আহা ! মোৰ জন্ম জন্মান্তৰতো ই কথা মোৰ মনত থাকিব। মই তাইক মাত লগোৱাৰ আগতেই তাই মোৰ ওপৰতে জাপ মাৰি পৰিলেহি আৰু—বাপেকৰ হত্যাকাৰী বুলি মোক গালি ববষিবলৈ ধৰিলে। কোলাহল হল—চাৰিও ফালৰ পৰা মানুহ ভৰি পৰিলহি—মই আঁতৰ হলোঁ। মোৰ তত হেৰাল—'তাই নিজে যেতিয়াই মোক হত্যাকাৰী দোষী সাব্যস্ত কৰিবলৈ সাজু হৈছে সেই স্বলত সংসাৰেও মোক যে দোষী সাব্যস্ত কৰিব ই নিশ্চয়।' কাজেই সেই নিশাই মই ঘৰ এৰিলোঁ—আৰু দুই এদিন চাই চিতি নিজৰ পথ মুকলি কৰি নিকদ্দেশ হলোঁ। ইয়াৰ সুবিচাৰ নহল মিঃ কার্লাইল। মোৰ এই দুখ সহন নাযায় কার্লাইল !! বিচাৰ আৰম্ভ হ'ল—! জষ্টিছ সকল বহিল, বিচাৰ হল—আইনতঃ মই দোষী সাব্যস্ত হলোঁ। কাৰণ এফিয়ে সাক্ষী দিলে যে সিদিনা ধন বাতি—তাইৰ ওচৰলৈ আন কোনো আহা নাছিল। তাইৰ ঘৰত তাই অকলে আছিল আৰু তাই হেনো গুলিৰ শব্দ শুনি ৫ মিনিটমান—পিছত আহিয়েই মৰা বাপেকৰ ওচৰতে লক্চলিক দেখা পাইছিল।

কার্লাইলে মনে মনে থাকি বিচার্ডৰ হত্যা গল্পৰ আচল কথা কেইটা টোকা বহিত টুকি ললে। সুধিলে—"তেনে-হলে তোমালোক চাৰিজন সেই অঞ্চলত আছিলাহঁক আৰু তোমালোকৰ নিশ্চয় কোনোবা এজনে সেই বন্দুক মাৰিছিল। তুমি কোৱা যে তুমি দুবৈত আছিলা আৰু বিডেলো বোলে তুমি দেখা.. ...।

বিচার্ড—উহুঁ নহয়, বিডেল হব নোৱাৰে। ই অসম্ভৱ। কাৰণ গুলি মাৰা মুহূর্ত্তত বিডেল মই চকুৰে দেখাত আছিল।

কাঃ—বাক লকচলি কত আছিল ?

বিচার্ড—তেতো প্রায় তেনেকুৱা অৱস্থাতে—অর্থাৎ মই চকুৰে দেখাতে আছিল। থৰ্ণে এই কাম কৰিছে—কার্লাইল, ইয়াত কোনো সন্দেহ নাই, ই খাঁটি কথা। কার্লাইল, বোধ হয় মোৰ কথা বিশ্বাস নহল ?

কাঃ—তোমাৰ হত্যাকাহিনীৰ কথা শুনি আচৰিত হৈছোঁ। বিশ্বাস অবিশ্বাসৰ কথা পিছতহে ভাবিম। আচৰিত কথা এই যে তুমি থৰ্ণক আগভেটি ধৰি—হত্যাকাৰী বুলি প্রমাণ নকৰিলা।

বিচার্ড—এৱা সেয়ে দোষ। মই মূর্খ, কাপুৰুষ। ই মোৰ জন্মগত দোষ—ই মোৰ লগত যাব। মই থৰ্ণক দোষী বুলি যদি কওঁ কোনে সাক্ষী কৰ ? এনেকি কাষত পৰি থকা বন্দুকটিও মোৰে নিজৰ। আহা ! কপাল, কার্লাইল, কপাল ! কিন্তু কার্লাইল, শেষ বিচাৰৰ দিনা —মই, থৰ্ণ, এফি আৰু হেলিজন—আমি চাৰিও দেখাদেখি হম, লগ লাগিম, ভগবানৰ ওচৰত কোন দোষী কোন নির্দ্দোষী প্রমাণ হব। মই তোমাক আচল কথা কলোঁ।"

কার্লাইলে বিচার্ডৰ কথা শুনি তবধ মানি কিছু সময় নীৰৱে থাকি সুধিলে। "বাক সেই থৰ্ণ কত থাকে, কেনে প্রকৃতি বিবৰি কোৱা।" বিচার্ডে কলে, "মানুহজন ওখ, পাতল কিন্তু নাকে মুখে সুন্দৰ চেহেৰা। লাহ বিশাহৰ অলন্ত মূর্ত্তি। হাতৰ আঙুলি হীৰাখটোৱা আঙঠিবে ঝকমকীয়া, কামিজৰ বোতাম বোৰো হীৰা মুকুতাবে তৈয়াৰী যেন, একেবাবে আটক ধুনীয়া চফল ডেকা।

কাঃ—বাক এতিয়া ঘৰলৈ যাওঁ বলা।

কার্লাইলে বিচার্ডক বাৰবাৰা আৰু মিচেছ হেয়াৰৰ ওচৰলৈ লৈ গল আৰু তেওঁলোকক বিচার্ডক গতাইদি সোনকালে বিদায় দিবলৈ কৈ লবালবিকৈ তেওঁ ঘৰমুরা হ'ল।

ঘৰত গৈ নিমন্ত্রিত জষ্টিছ সকলক খুৱাই মিলি কথাবার্ত্তা কৈ আদৰ সম্ভাষণ কৰি বিদায় দিলে। নিজৰ শোৱা কোঠালীত সোমাই তেওঁ তেওঁৰ বিশ্বাসী মহৰি ভিলক মাতি আনি সুধিলে, "ভিল, তুমি থৰ্ণক চিনি পোৱানে ? এই মানুহ জনৰ বিষয়ে তুমি ওচৰৰ গাওঁ-ভূই কেইখনত বিচাৰ লবা আৰু কিবা শুংসূত্র পালেই লগতে মোক জনাবা। বাক, তুমি এতিয়া যোৱাগৈ।"

ভিলে মুখ মেলিবৰে সময় নাপালে। তেওঁ "ভাল দেউতা," বুলি কৈ বিদায় হল আৰু বাটে ২ ভাবি গ'ল—

"এওঁক আজি আকৌ কিহে পালে। এই থৰ্ণ নে টৰ্ণৰ নাম কত কেনেকৈ পালে ?"

তাৰ পিছতে তেওঁৰ থৰত থাকা জেইছি নামৰ বালী জনীক কাৰ্লাইলে মাতি আনিলে। জেইছি হেলিজন চাহাবৰ ঝিয়ৰী স্ত্ৰীৰ ছোৱালী—কাজেই এফি আৰু জেইছি দুয়ো বাই ভনী। তাই কাৰ্লাইলৰ ওচৰত থিয় দিলতহি, তেওঁ কলে, "জেইছি, চৰাৰ খন জপাই দিয়া।" আদেশ পালন কৰি কাৰ্লাইলৰ ওচৰত থিয় হলহি। তেওঁ আৰম্ভ কৰিলে, "জেইছি, ভনীয়েৰৰ কিবা খবৰ পাইছানে ?"

জেইছি—নাই দেউতা। মোকনো তাই খবৰ কবনে।

"কেলেই ?"

"যি জনীয়ে নিজ পিতৃ-হন্তা বিচাৰ্ড লম্পটৰ লগত পলাই যাব পাৰে, সেই জনীয়ে মোক কিবা কথা ভাঙ্গি কব বুলি ভাবেনে ?"

"বাক, নালাগে। এফিৰ খবলৈ অহা যোৱা কৰা সেই সুন্দৰ আটক ধুনীয়া ডেকা জন কোন জানানে ?"

প্ৰশ্ন শুনি জেইছি বিবৰ্ণ হল। মনৰ ভাব দবাই ৰাখি তাই কলে, "সেই জনৰ কথাও শুনিছে দেউতা ?"

কাঃ—সি সেই ওচৰৰ গাৰ্ত্ত বোৰৰ পৰা নাহেনে ?

জেইছি—হয় দেউতা, মোৰো বিশ্বাস তেনেকুৱাই। এফিয়ে তাৰ নামকে হুলিয়াই সকলো কথা লুকাই বাখে। এনেকি কেতিয়াবা মই তাৰ নাম উলিয়ালেই তাই ভাগ মাৰি উঠে।"

"বাক, ডেকাজনে কি কাম কৰে ?"

"দেউতা মই ঠিক নাজানো। কিন্তু কেতিয়াবা এফিয়ে গৌৰৰ কৰি কয় যে ডেকাজন হেনো এজন সৈন্যই নে সৈন্যাধ্যক্ষই। তাই সিদিনাখন ডেকাজনক কেপ্টেন থৰ্ণ বুলি মতাও শুনিছিলো আৰু তাৰ ৭৮ দিন মানৰ পিছত সেই হত্যাকাণ্ড ঘটিল।"

কাঃ—জেইছি, তই নাভাবনে যে এফি বিচাৰ্ডৰ লগত যোৱা নাই, এই থৰ্ণৰ লগতহে পলাই গৈছে ?

জেইছি—নহয় দেউতা। তাই বিচাৰ্ডৰ বাহিৰে আন কাৰো লগত যোৱা নাই। ই মোৰ সম্পূৰ্ণ বিশ্বাস। মোৰ কিয়—ৰেষ্টলিনিৰ আটাইবে সেই বিশ্বাস।"

কাৰ্লাইলে তাইৰ এই বিশ্বাস ভাঙ্গিব সুযুজিলে। তাইক বিদায় দি শোৱা পাটিত পৰি নিজৰ ওকাশতি বুদ্ধি খটাই ঘটনাটো ওলট-পালটকৈ ভাবি থাকিল।

—আগবৈ



টোকাৰীৰ প্ৰতি

কবিতা— —এম্, ইক্ৰাম আলি হাজৰিকা

কি গীত জুবিবি তয়েঐ টোকাৰী
কি গীত জুবিবি তই,
ৰঙাকৈ অকণে হাঁহিটি মাৰোতে
মেঘে যে ঢাকিলে ঐ
টোকাৰী ঐ, মেঘে যে ঢাকিলে ঐ।

নীলাকৈ আকাশত জোনায়ে হাঁহোতে,
পখেকে পুৱঠি হৈ
তাৰোঐ হাঁহিটি বাহৰে গ্ৰাসিলে
বিধিবে বিধানক লৈ
টোকাৰী ঐ বিধিবে বিধানক লৈ।

ফুলনি শুৱাই ঐ ফুলিব খুজোতে
আফুটা ফুললৈ কলি
ঠাৰিতে মোচবি কবিলে আহবি,
মলয়া পচোৱা বলি।
টোকাৰী ঐ মলয়া পচোৱা বলি

ববনৈ কাষতে হবিণী চবোতে
থাইনো লুহীয়া বন,
চোকাকৈ বানে যে শুকুৰ শালিলে
জীৱবো মাবিলে কণ
টোকাৰী ঐ জীৱবো মাবিলে কণ।

বছেবে বেহাই ঐ ধবলৈ' যুকতে
নাৱে নাৱবীয়া কাই,
আঠানী পানীতে নাওনো বুবালে,
শিলে ববষুণে পাই,
টোকাৰী ঐ শীলে ববষুণে পাই।

কাতি কৈ মাহতে গেঁৰ ধবি ধীৰ,
ধানে যে কাটোতে থোক,
ওবিবে উজাবি টকালি পেলালে
আহি যে শুবীয়া পোক,
টোকাৰী ঐ আহি যে শুবীয়া পোক।

আঘোনো পুহলৈ আলগে নিলগে
যিবাঐ এডালি ব'ল
কাকতি ফবিঙে তাকো যে টুকিলে
ভবাল উদঙে ব'ল,
টোকাৰী ঐ ভবাল উদঙে ব'ল।

মাঘত ঐ মেজিবে বিহু পাতিবলৈ'
খবি থেব বিচাবি গৈ,
বাৰীৰ একে পো হাবিতে হবালে
কাললৈ' কথাটি থৈ।
টোকাৰী ঐ কাললৈ' কথাটি থৈ।

সুখবে আশালৈ ফুকতে ইদবে
ভৰ সাগবতে ভাহি,
খোজতে খোজ থৈ কালে সকলোবে
সমাধি সাধেহি আহি,
টোকাৰী ঐ সমাধি সাধেহি আহি।

নাজন' ইদবে চাইনো থাকোতে
কালে ঐ ডুবালে হাত
তোবো এৱা জবী ছিগিব টোকাৰী
মুখবো সবিব মাত,
টোকাৰী ঐ মুখবো সবিব মাত।

দ্ৰাবিড় দেশত চাৰিমাহ

ভ্ৰমণ কাহিনী—

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

(৬)

'সৰু কাঞ্চিপুৰমৰ' (Little Canjeeberam) দৰে 'বৰ কাঞ্চিপুৰমো' (Big Conjeeberam) এখন প্ৰসিদ্ধ ঠাই। ইয়াত মন্দিৰেৰে পৰিপূৰ্ণ। অতি প্ৰাচীন শিল্পৰ কাৰুকাৰ্য্যৰ চিহ্ন বহুত পোৱা যায়। তাৰ ভিতৰত বিখ্যাত বৃহৎ শিৱ মন্দিৰটোতে বেছি দেখা যায়। সেই মন্দিৰটোক "একাম্বৰনাথ" মন্দিৰ বোলে আৰু তাৰ 'লিঙ্গম্' (linga) টোৱেই দক্ষিণ ভাৰতৰ সকলো 'লিঙ্গ'তকৈ নামজলা। মন্দিৰটোৰ গঠন সাধাৰণ মন্দিৰবোৰৰ গঠনতকৈ অলপ অন্য ধৰণৰ। এই মন্দিৰটো বিজয় নগৰৰ ৰজা মহাৰাজ কৃষ্ণদেৱে সজাইছিল আৰু তাত হাইদৰ আলীৰ বৰটোপৰ গুলীৰ দাগ এতিয়াও দেখা যায়।

মন্দিৰটো সজোৱাৰ বিষয়ে এনেধৰণৰ এটা বৃত্তান্ত শুনা যায় :—

যেতিয়া সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ অধিকাৰ মহাদেৱে তেখেতৰ সৃজন, পালন আৰু সংহাৰ কাৰ্য্যত ব্যস্ত আছিল তেতিয়া স্বভাৱ চঞ্চলা পাৰ্ব্বতীয়ে নিজৰ বাহাদুৰি দেখুৱাবৰ উদ্দেশ্যে মনে মনে পাছফালেদি গৈ তেখেতৰ পতি সদাশিৱক চকু মুদাই ধৰিলেগৈ। তাৰ ফল হিচাবে গোটেই পৃথিবী অন্ধকাৰেৰে পৰিপূৰ্ণ হ'ল। মহাদেৱে কোপিত হৈ খঙতে বিকৰ্ষনা কৰি পাৰ্ব্বতীক অজ্ঞাতে শাও দিলে। যেতিয়া তেওঁ পাৰ্ব্বতীক দেখা পালে তেতিয়া তেওঁ তেওঁৰ কাৰ্য্যৰ কাৰণে নিজে নিজে অনুতাপ কৰিবলৈ ধৰিলে। কিন্তু এবাৰ দিয়া শাপ তেওঁ ঘূৰাই আনিব নোৱাৰি সদাশিৱই পাৰ্ব্বতীক সেই মন্দিৰৰ ওচৰত থকা "কম্বনদী" নামৰ পুখুৰীটোৰ ভিতৰত ছমাহৰ কাৰণে মন্দিৰৰ মূৰ্ত্তিক জপ কৰি থাকিবলৈ উপদেশ দিলে। পাৰ্ব্বতী আয়েও তেনে দৰে কাৰ্য্য কৰাত নিৰ্দ্দিষ্ট সময়ৰ পিছত সদাশিৱই তেওঁৰ আগত দেখা দি আকৌ পাৰ্ব্বতীক কৈলাশলৈ লৈ গ'ল।

এই ঘটনাৰ স্মৃতিৰ উদ্দেশ্যে মন্দিৰত বছৰে বছৰে হোৱা মহাভোজৰ দহদিনৰ দিনা মহাদেৱ আৰু পাৰ্ব্বতী দুয়োৰে মূৰ্ত্তি দুখন ৰাতিটোৰ কাৰণে মন্দিৰৰ এশখুটীয়া মণ্ডপৰ ভিতৰত এটা কোঠালীত থোৱা হয়; আৰু সেই ৰাতি মন্দিৰত বৰ পয়োভৰেৰে উৎসৱ পালিত হয়।

ওপৰত উল্লেখ কৰা 'একাম্বৰনাথ' মন্দিৰটোত গৌপৰম্ (Gauparam) টো অত্যন্ত বৃহৎ আৰু মন্দিৰৰ বাহনবোৰো দেখিবলৈ বৰ ভয়াবহ। মন্দিৰটোৰ ভিতৰত বহুতো লিঙ্গ আছে আৰু তাৰ ভিতৰত ৬৪জন মহাশিৱৰ মূৰ্ত্তিও ৰাখিছে। মন্দিৰটোৰ ওচৰতে প্ৰকাণ্ড এজোপা আম গছ আছে আৰু এই গছ জোপাৰ বিষয়ে এটা জনপ্ৰবাদ আছে যে এই আম জোপাৰ মৰণ নাই। মন্দিৰ সজাৰ পৰা সেই গছ জোপা আছে বুলি মানুহে কয়।

নগৰৰ ভিতৰতে "যথোক্তকাৰী" নামৰ আৰু এটা সৰু বিষ্ণুমন্দিৰ আছে। ইয়াৰ বিগ্ৰহটো বিষ্ণুৱে নগুঠা শয়নত থকা অৱস্থাত আছে আৰু সেইকাৰণে এই বিগ্ৰহটোৱে জৈন সভ্যতাৰ আভাষ দিয়ে। তাৰ উপৰিও 'বৰ-কাঞ্চিপুৰমৰ' কামাক্ষী মন্দিৰটোৰ ওচৰত থকা পুখুৰীটো আৰু মন্দিৰৰ গঠনেৰে সৈতে অত্যন্ত শোভ বঢ়াই আছে। "কামাক্ষী" আৰু "মীনাক্ষী" মন্দিৰ দাক্ষিণাত্যৰ ভিতৰত অতি প্ৰসিদ্ধ মন্দিৰ। এই 'কামাক্ষী' মন্দিৰত আৰু মাদুৰাৰ 'মীনাক্ষী' মন্দিৰতেই পাৰ্ব্বতীৰ আৰাধনা হোৱা মন্দিৰ। 'কামাক্ষী' মন্দিৰত পূজা দিলে মনৰ সকলো কামনা পূৰণ হয় বুলি এটা জনবিশ্বাস

আছে। এই মন্দিৰৰ বিগ্ৰহৰ গাত ইমান সোণৰ ফুল আৰু অলঙ্কাৰ আছে যে তাক দেখিলে অত্যন্ত আচৰিত হব লাগে। যাত্ৰীৰ ভিতৰত ইয়ালৈ যোৱা সৰহবোৰেই তিৰোতা মানুহ আৰু ইয়াত দৈনিক যাত্ৰীৰো ভিৰ বেছি। নগৰত অন্য এটা কোণত "ওলগম্ আলানদম্" নামৰ আৰু এটা বিষ্ণু মন্দিৰ আছে। ইয়াতো যাত্ৰীৰ ভিৰ ভালদৰেই আছে। এই মন্দিৰৰ বিগ্ৰহটোৱে বিষ্ণুৱে ৰাওনাৰ ৰূপ ধৰি বলি চক্ৰবৰ্ত্তীক কেনেকৈ দমন কৰিছিল তাৰ ৰূপ দৰ্শাইছে। বিষ্ণুৱে মূৰ্ত্তিটোত ভীষণ এটা কায় হৈ এটা ভৰি স্বৰ্গত এটা পাতালত আৰু এটা বলিৰ মূৰৰ ওপৰত দি হেঁচা মাৰি থোৱা দেখা যায়। এই মন্দিৰৰ বিগ্ৰহটো প্ৰায় ৩০।৪০ ফুটমান দীঘল।



তিৰুভাৰুৰৰ থিয়াগাৰাজ (ত্যাগৰাজ) মন্দিৰৰ আগৰ গৌপৰম

ওপৰত বিবৰণ দিয়া হিন্দু মন্দিৰবোৰৰ উপৰিও নগৰৰ পৰা অলপদূৰ গলেই 'তিৰুপৰট্টিকুণ্ডম্' নামৰ ঠাইত এটা ধুনীয়া জৈন মন্দিৰ আছে। তাৰ ওচৰতে এটা ডাঙৰ মছজিদো আছে। এই মছজিদটোৰ ভিতৰতেই বিজাপুৰৰ প্ৰসিদ্ধ ফকিৰ হজৰত চাহেব আমীৰ অৱল্যাৰ সমাধি হৈছিল বুলি কয়। ওচৰাওচৰি কৰি থকা জৈনমন্দিৰ আৰু মছজিদৰ অৱস্থিতিয়ে এসময়ত সেই দুটা সভ্যতাৰ পোহৰ পাইছিল বুলি দেখুৱায়। এই ঠাই ডোখৰ চাবলগীয়া ঠাই।

কাঞ্চিপুৰম নগৰৰ ঐতিহাসিক বিবৰণ হিচাবেও কিছু কথা বুৰঞ্জীত পোৱা যায়। চালুক্য বংশৰ পুলীকেশী নামৰ এজন প্ৰসিদ্ধ ৰজাই প্ৰায় ৪৮৯ খৃঃ চোলা ৰাজ্য আক্ৰমণ কৰি কাঞ্চিপুৰম নগৰ পুৰি পেলায়। এই কাঞ্চিপুৰমেই ১১শ খৃষ্টাব্দত পল্লভ ৰজা সকলৰ ৰাজধানী আছিল আৰু ১৪ শ খৃষ্টাব্দত ইয়েই টোণ্ডাই মণ্ডলমৰ ৰাজধানী হয়। বিজয় নগৰৰ ৰজাসকলৰ পতনৰ পিছত ১৬৪৪ খৃষ্টাব্দত ই গোলকুণ্ডা ৰজাসকলৰ হাতলৈ আহে আৰু পিছত মুছলমান সকলৰ হাতলৈ আহি আৰ্কট ৰাজ্যৰ সীমাৰ ভিতৰত সোমাই পৰে। ১৭৫৭ খৃষ্টাব্দত পেগোদা আক্ৰমণত পৰাজয় হৈ ফৰাচী সকলে আকৌ এই নগৰত জুই দিয়ে। ১৭৫৯ খৃষ্টাব্দত ইংৰাজ সকলে বলেৰে ফৰাচী সকলৰ পৰা কাঢ়ি ললে আৰু ১৭৮০ খৃষ্টাব্দত হাইদৰ আলীয়ে এই নগৰ লুট কৰে। বিখ্যাত পৰিব্ৰাজক হাউয়েন চাঙে কাঞ্চিপুৰমক বুদ্ধৰ দিনৰ নগৰ বুলি কৈ প্ৰমাণ কৰিছে; কাৰণ বুদ্ধই এই নগৰতে মানুহ বিলাকক তেওঁৰ ধৰ্ম্মলৈ দীক্ষিত কৰাইছিল। ধৰ্ম্মপাল ৰজাৰ কাঞ্চিতেই জন্ম হৈছিল আৰু অশোকে এই নগৰতেই অনেক স্তূপ তৈয়াৰ কৰি গৈছিল।

এতিয়া দেখা গল যে কাঞ্চিপুৰতেই বৌদ্ধ, জৈন, হিন্দু আৰু মুছলমান সকলো ধন্মৰে ধৰ্ম্ম প্ৰচাৰৰ ভেটি আছিল আৰু তাত থকা মন্দিৰ, মছজিদ আৰু স্তূপবোৰেই তাৰ চিনাকি দিয়ে। এই কাৰণেই বোধ হয় ইয়াত আক্ৰমণ, লুট আৰু জুই আদিৰ বৃত্তান্ত বেছি পোৱা যায়। আৰু এনেধৰণৰ গণ্ডগোল বেচিকৈ ভাৰতৰ প্ৰসিদ্ধ সকলো নগৰতেই দেখিবলৈ পোৱা যায়!! হায়! ধৰ্ম্মৰ নামত ভীষণ আতঙ্ক উপস্থিত হয় আৰু এইবোৰ লৈয়েই পৃথিবীৰ আজি ধৰ্ম্মৰাজ্য স্থাপন হৈছে!!

কাঞ্চিপুৰমত থকা কেইদিনত মই আমাৰ গিৰিহঁত শ্ৰীমান চি, ভি, বৰদাচাৰীয়ৰ বৰপুত্ৰৰ লগত কথা পাতি

তামিল আচাৰ-ব্যৱহাৰ সাহিত্য আদিৰ বিষয়ে বহুত কথা জানি ললোঁ। আদি—অন্ধ্ৰ, আদি দ্ৰাবিড়ী, দেবদাসী আদিৰ বিষয়েও কিছু কথা তেওঁৰ পৰা জানিলোঁ। দ্ৰাবিড়ী সকলে ১২ জন বৈষ্ণৱ আৰু ৬৩ জন শৈৱ মহাপুৰুষৰ (Saints) পূজা কৰে। এই ১২ জন বৈষ্ণৱ মহাপুৰুষৰ আৰু ৬৩ জন শৈৱ মহাপুৰুষৰ ভিতৰতে এজন এজন অস্পৃশ্যসকলৰ বংশৰ লোক আছিল। সেই কাৰণে উপযুক্ত আৰু মেধাবী অস্পৃশ্য সকলক যে যথোচিত আসন দিয়া নাছিল তাক কব নোৱাৰি। সাধাৰণ অস্পৃশ্যসকলৰ বিষয়ে তেখেতৰ পৰা জানিব পালোঁ যে তাহাঁতৰ বহুতে এতিয়াও মৰা জন্তুৰ মঙ্গহ খায় আৰু সেই কাৰণেই বহুতক এতিয়া অস্পৃশ্য কৰি ৰাখিবলৈ বাধ্য হৈছে।

কাঞ্চিপুৰমত থকা কালডোখৰতেই মোৰ সহচৰ শ্ৰীমান ইউ, পি, কৃষ্ণমাচাৰ্য্য পণ্ডিত মহোদয়ক নানিলাম (Nanilam) নামৰ এখন ঠাই লৈ সনাতন ধৰ্ম্মৰ বিষয়ে বক্তৃতা দিবলৈ নিমন্ত্ৰণ কৰিলে। ইতিমধ্যতে ঘৰৰ পৰা অলপ টকা গৈ পোৱাত ময়ো তেখেতৰ লগত যাবলৈ ওলালোঁ। এপ্ৰিলৰ ১৩ তাৰিখ বহাগবিহুৰ দিনা আমি কাঞ্চিপুৰম এৰিবলৈ মনস্থ কৰিলোঁ। সেই দিনাই তামিল নববৰ্ষৰ দিন। মন্দিৰৰ সকলো পণ্ডিতে দোকমোকালিতে উঠি নগৰত সামবেদৰ গীত গাই গাই শোভাযাত্ৰা কৰি ফুৰিছিল। সেই দিনা ৰঙালী বিহু বুলি মনত যদিও অলপ উলাহ লাগিছিল তথাপি মোৰ অসমৰ হুচৰী, মহযুঁজ, জেতুকা পিন্ধা, পিঠা-পনা কৰা, পথাৰত বিহু কচা, নতুন গামোছা লোৱা, গৰু মহৰ গা ধোৱা আৰু ডেকা গাভৰু সকলে টকা আৰু ঢোল লৈ জোৰা বিহু নাম দি নচা দৃশ্য ক'তো দেখিবলৈ নাপালোঁ। বহাগৰ ৰাঙলী হেন ৰঙালী বিহুটো মোৰ মনত একেবাৰেই উৰুঙা লাগিল। হায়, নিজৰ দেশৰ পৰা আঁতৰ হলে লগে, সকলো জাতীয় উৎসৱ, উলাহ আৰু আমোদ প্ৰমোদ সকলো আঁতৰ হয়। মোৰো তেনে অৱস্থাই হৈছিল আৰু ভাব হৈছিল যেন মোৰ দেশৰ পৰাই কেতিয়াও আতৰ নহম। কিন্তু ভ্ৰমণৰ কাৰণে হোৱা বহৰ অদম্য বমনগ্ৰাত আৰু উদ্যমে সকলোবোৰ পাছ পেলাই দেশ ভ্ৰমণৰ পথলৈ আগুৱাই নিয়ে।

সেই উদ্দীপনাৰ মাজেদিয়েই অনেক কথা ভাবিগুণি ১৪ তাং ৰাতিপুৱা আমি নাহুনেৰী টাউন পালোগৈ। আমি পোৱাৰ দিনাই স্থানীয় বোৰ্ড হাইস্কুলৰ বছেৰেকীয়া উৎসৱ হৈছিল আৰু আমাক তালৈ নিমন্ত্ৰণ কৰি নিছিল। আমি গধূলি সভালৈ গৈ একোটি সৰু বক্তৃতাও দিছিলোহঁক। আমাক থকাৰ কাৰণে তাৰ মানুহে যিটো ঘৰ বন্দোবস্ত কৰি দিছিল তাৰ ওচৰতে 'বিবেকানন্দ ৰিডিং ৰুম' (The Vibekananda reading room) নামে এটা লাইব্ৰেৰী আছে। তাত সকলো কাগজ পঢ়িবলৈ পোৱা যায় আৰু তাতে অসমৰ অৰ্থাৎ সুৰমা ভেলীৰ কোনোবা এজন ৰঙালী যুৱকে গোটেই ভাৰত ভ্ৰমণ কৰি মাদ্ৰাজ পাইছেগৈ বুলি এখন কাগজত খবৰ পাইছিলোঁ। মই তাত থকা কেদিনতে তাৰ পশু ডাক্তৰ (Veterinary Surgeon মিঃ এ কৃষ্ণস্বামী আয়াৰ (G. M. V. C.) দেৱৰ লগত মোৰ চিনা জনা হৈ বহুত কথা-বাৰ্ত্তা হয় আৰু মোক তেখেতৰ ঘৰলৈ মাতি বুলি নি প্ৰায়েই ভাত পানী খুৱাইছিল। তেওঁৰ ভটিজাক 'মনিও' মোৰ আন্তৰিক বন্ধু হৈ পৰিছিল। তেওঁক মোৰ লগৰীয়া হিচাবে পাই ওচৰৰ সকলো ঠাই আৰু মন্দিৰবোৰ চাই ফুৰিছিলোঁ।

নগৰৰ ভিতৰতে মধুবনেশ্বৰী নামৰ এটা শিৱমন্দিৰ আছে আৰু তাত শ্ৰীপাৰ্ব্বতী মাইৰ মূৰ্ত্তি আছে। সেই মন্দিৰত সদায়েই এবাহ মৌ থাকে আৰু সেই মৌৰ ৰসেৰেই সদায়ে বিগ্ৰহ পূজা কৰা হয়; সেই কাৰণেই সেই মন্দিৰৰ নাম মধুবনেশ্বৰী ৰখা হৈছে। নগৰৰ ৩।৪ মাইলৰ ভিতৰত অনেক তীৰ্থ ঠাই আৰু মন্দিৰ আছে। তাৰ ভিতৰত 'তিৰুপুগালুৰ' (Tirupugalore) নামৰ বিখ্যাত শৈৱ মন্দিৰটোত তামিল মাহৰ 'চিত্ৰায়' অৰ্থাৎ চ'ত মাহত এটা ডাঙৰ উৎসৱ হয়। তাৰ পিছত তিৰুকানপুৰম্ (Tirukannapuram) নামৰ বিষ্ণু মন্দিৰটো শ্ৰীৰঙ্গমৰ বিষ্ণু মন্দিৰৰ নিচিনা প্ৰসিদ্ধ। তাৰ পিছত 'থিৰুচুঙ্গাট্টনঙদি' (Thiruchungattanngudi) বা 'ৰক্তাৰন্যম' নামৰ হাবিত 'চিত্ৰায়' (চ'ত) মাহতে এটা

ডাঙৰ উৎসৱ হয়। ইয়াৰ উপৰিও নগৰৰ পৰা ৩মাইল দূৰৈত থকা 'শ্ৰীৰঞ্জীয়' Srivonjiya নামৰ মন্দিৰৰ ওচৰত থকা পুখুৰী কিটাত গা ধুলে ব্ৰহ্মহত্যাৰ নিচিনা পাপৰ পৰাও মুক্ত পাব পাৰে বুলি ভাবে। সেই কাৰণ এই ঠাইডোখৰক 'মুক্তগঙ্গা' বুলিও কয়। এই ঠাই ডোখৰ বেনাৰচ বা কাশীতকৈ ১৬গুণে পবিত্ৰ বুলি মানুহে ভাবে আৰু ইয়াতেই বিষ্ণুৱে তেওঁৰ হেৰোৱা লক্ষ্মীক অকৌ ঘূৰাই পায় বুলি কয়। ইয়াৰ ওচৰতে 'টিৰুপানায়ুৰ (Tirupanayu) নামে ঠাইত এটা শিৱ মন্দিৰ আছে। তাত সদাশিৱক 'শ্ৰীবঞ্চলিঙ্গস্বামী' আৰু পাৰ্ব্বতীক 'মঙ্গালাম্বিকা' নামে পূজা দিয়া হয়। এয়েই নানিলাম চহৰৰ ওচৰে চুবুৰীয়ে থকা মন্দিৰ আৰু তীৰ্থ ঠাইৰ



তিৰুভাৰুৰ মন্দিৰৰ ওচৰৰ পুখুৰী—মাজত কমলালয় দ্বীপ

বিৱৰণ আৰু ইয়াত প্ৰধান খেতি ধানেই বেছি ৰূপে হয়। নানিলামত (Nannilam) থকা কালডোখৰতেই মই মোৰ বন্ধুজনৰ লগত ওচৰৰ প্ৰসিদ্ধ তীৰ্থ স্থান তিৰুভাৰুৰ (Tiruvarur) চহৰ খনো চালোগৈ। তিৰুভাৰৰ (Tiruvarur) বা তিৰুভালুৰ (Tiruvallur) নগৰ খন নাগাপট্টম (Nagapattam) তালুকৰ ভিতৰত অৱস্থিতি আৰু নানিলাম চহৰৰ পৰা ৮ মাইল দূৰৈত। এই দুইখন নগৰ তাঞ্জোৰ (Tanjore) ডিষ্ট্ৰিক্টৰ ভিতৰত পৰিছে। তাৰ চিন তাঞ্জোৰৰ সিং নথকা গৰুবোৰ দেখিলেই বুজিব পাৰি। তাঞ্জোৰ জিল্লাৰ গৰুবোৰৰ সিং সৰুতে উভালি—পেলায় আৰু তাৰ মানুহে ভাবে যে তেনে কৰিলে গৰুবোৰ বলবান হয়। সেই বিষয়ে সমলোচনা কৰিবলৈ নগৈ পশু বিভাগৰ গৱেষণা কাৰী সকলৰ ওচৰলৈকে পেলাই থলোঁ।

তিৰুভাৰুৰ মাজতে থকা বিখ্যাত শিৱমন্দিৰটো চাব লগীয়া। মন্দিৰটোৰ ওচৰতে পশ্চিমফাললৈ এটি অত্যন্ত ধুনীয়া আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰে বিতোপণ পুখুৰী আছে। পুখুৰীটোৰ মাজতে এটা সৰু দ্বীপো আছে আৰু সেই দ্বীপটোক 'কমলালয়" বোলে। মন্দিৰটোৰ নাম "থিয়াগাৰাজা" (Thiagaraja) আৰু এই নামৰ ঐতিহাসিক বৃত্তান্ত হিচাবে এটা ইতিহাসো আছে। মাৰ্চ্চ এপ্ৰিল মাহত এই মন্দিৰত কেবাদিনো ব্যাপি এটা উৎসৱ হয় আৰু এই উৎসৱ চাবলৈ নানা ঠাইৰ পৰা মানুহে ভৰি পৰেহি। ঈশ্বৰৰ ইচ্ছাত মই সেই উৎসৱৰ ৰথোৎসৱৰ দিনা তাত থাকি সকলো চাব পাৰিছিলো

মন্দিৰটো সাধাৰণতে দাক্ষিণাত্য গঠনপ্ৰণালীৰেই সজা। ভিতৰত মন্দিৰটোৰ চাৰিওফালে কেবাজাপো ইটাৰ পকী বেৰ আছে। আৰু প্ৰত্যেক কোণতে এটা এটা গোপৰম আছে। মন্দিৰটোৰ উত্তৰে এখন শিলৰ প্ৰকাণ্ড ৰথ আছে আৰু এই ৰথৰ এটা চকাৰ তলতে এটা শিলৰ লৰাৰ মূৰ্ত্তি পৰি আছে। ৰথখনৰ ওচৰতে আগত মৰা পোৱালী এটা লৈ এজনী গৰুৰ শিলৰ মূৰ্ত্তি এটা আছে। এই সকলোবোৰ মূৰ্ত্তি চোলা বংশৰ বিখ্যাত ৰজা 'মনুনিধিকণ্ড' (Manuneedhi kanda) মহাৰাজৰ জীৱনীৰ এটি বিষাদপূৰ্ণ ঘটনাৰ স্মৃতি ৰক্ষাৰ্থে থোৱা হৈছে। ৰজাক পৰীক্ষা কৰিবৰ উদ্দেশ্যে সদাশিৱই এজনী গৰু আৰু যমৰজাই এটা পোৱালী হৈ আহি তিৰুভাৰৰ চহৰত ধাঁহ খাই ফুৰোতে ৰাজকুমাৰৰ ৰথৰ তলত সোমাই পোৱালীটো মৰিল। গৰুজনী খঙত বলিয়া হৈ ৰজাৰ কাৰেঙলৈ গৈ শিঙেৰে সৈতে বিচাৰ বিচৰা ঘণ্টা (bell of justice) বজাই গোটেই ঘটনাটো কৈ ৰজাৰ

ওচবত গোচব দিলেগৈ আৰু তাৰ লগতে কলে যে এই মহাপাপৰ প্ৰায়শ্চিত্ত বজাই নিজৰ একমাত্ৰ সন্তানটোক সেইদিনেই বধৰ তলত চেপি মৰাৰ বাহিবে অন্য একো প্ৰকাবে হব নোৱাবে। ধৰ্ম্মপবায়ণ বজাযো তাকে দেখি তেওঁৰ একমাত্ৰ পুতেকক তেনেদৰেই চেপি মাৰিবলৈ হুকুম দিলে বাজপুত্ৰ বধৰ চেপাত মৰিল আৰু তাৰ লগে লগে বাজবংশৰ অস্তিত্বও লোপ পাব লগীয়া হ'ল। সদাশিৱই বজাৰ এনে ধৰ্ম্মপবায়ণতা আৰু বাজবিচাৰ দেখি অত্যন্ত সন্তোষ পাই মৰা লৰা আৰু পোৱালী দুয়োটাকে জীয়াই দিলে। সেই বজাৰ এনে কৰ্ত্তব্য-পবায়ণতা আৰু ধৰ্ম্মবিচাৰৰ চিন স্বৰূপে আজিও সেই শিলৰ বধ, গৰু, পোৱালী আৰু লৰাৰ শিংৰ মুৰিয়ে গোটেই পৃথিবীক ঘোষণা কৰিব লাগিছে "বজাৰ ধৰ্ম্ম কি ?" আজিও সেই দৃশ্য দেখিলে প্ৰত্যেক ভাৰতবাসীয়ে গৌৰবান্বিত হবলৈ বাধ্য হব যে ভাবতে এনে পুত্ৰ লৈয়েই ভাৰতবৰ্ষব নাম সাৰ্থক কবিছিল।

মন্দিবটোৰ ভিতবত এহেজাৰ খুটাৰ এটা ডাঙৰ মণ্ডপম আছে। এই মণ্ডপৰ (Mondapum) খুটাবোৰৰ ওপৰত নানা ধৰণৰ শিলকাটি ফুল-লতা আৰু ছবিৰ কাৰুকার্য্যবে সজোৱা দৃশ্য আছে। প্ৰত্যেক দৃশ্যয়েই হিন্দুৰ পৌৰাণিক ঘটনাৰ একোটি সাধুকথাৰ আভাস দিয়ে। মণ্ডপটোক চাবিওফালে বহুত শিলৰ খুটা পোৱা যায় আৰু খুটাবোৰ মহোৎসৱৰ সময়ত সজাই মেলি বৰ ধুনীয়া কবি তোলে। মন্দিবৰ ভিতবত কাৰুকার্য্যৰ বিশেষ কৃতিত্ব দেখিবলৈ পোৱা নাযায়, কিন্তু গোপৰম্ কিটাৰ খাত সৰু সৰু শিলত অনেক মূৰ্ত্তি ভালদৰে সজোৱা আছে। মন্দিবৰ ভিতবত পাঁচখন বৰ ডাঙৰ ডাঙৰ কাঠেৰে সজা বধ আছে আৰু তাৰ ভিতবত যিখন সবাতকৈ ডাঙৰ বধ সেইখনেই এই উৎসৱৰ কোনো দিন এটাত যাত্ৰা কবি মন্দিবৰ চাবি বেৰত চাবিফালে থকা বাহিবৰ আনিয়েদি সুবায়। এই চাবিবেৰৰ বাহিবৰ বাস্তাকেটাৰ দীঘত্ব প্ৰায় ১ মাইল মান হব। কিন্তু এই বধখন দিনটোৰ ভিতবত কেইমাললমান বাটেহে নিব পাবি। কেতিয়াবা কেতিয়াবা বধখন এবেগেতো নলবে। তেতিয়া মানুহে ঘোৰ অমঙ্গলৰ সূচনা হয় বুলি ভাবে। শুনিবলৈ পোৱা যায় যে কেতিয়াবা বধখন এমাহ চুমাহলৈকে লৰাব নোৱাৰা হৈ অচল ভাবে থাকে। বহুত পূজা পাতল দিছে কেতিয়াবা লৰাব পৰা যায়। ইফালে বধখন টানে ৩০।৪০ হাজাৰ মানুহে। এই মানুহবোৰ সাধাৰণতে 'ছিবাস্তাদাৰ' (জমীদাৰ) বিলাকে যোগায়। জমীদাৰজনে প্ৰতি প্ৰায় ৩০০০।৪০০০ বায়ত যোগায় আৰু এই বায়তবোবৰ খোৰা খৰচ জমীদাবেই বহন কবিব লাগে। বধ টানিব লগা এটাই কিটা দিনৰ কাৰণে জমীদাবে বায়তব থকা মেলাব সকলো যোগাৰ কবি দিব লাগে।

মই যি ঘৰ জমীদাৰৰ লগত আছিলো তেওঁ ৮ হেজাৰ বায়ত যোগাইদিল আৰু সেই ৮০০০ হেজাৰ বায়তব থকা খোৱাৰ বন্দোবস্ত কবি দিয়া মই নিজেই দেখি আছিছিলো। মই দেখা বাৰ বধ একেদিনাই এটা পাৰ ঘুবিলে। বধখন সকলোৱেই টানে—জগন্নাথৰ বধৰ জমীৰ দবে ইয়াতো স্পৃশ্য অস্পৃশ্য, ধনী দুখীয়া লৰা বুঢ়া, মতা-তিৰোতা সকলোবে অধিকাৰ আছে। বধৰ জৰীডালেই প্ৰায় আধামাইল দীঘল। সেই বধযাত্ৰাৰ দিনা বধখন অতি সুন্দবকৈ সজায় মেলি লয় আৰু বধখন চলোৱাৰ আগেয়ে এটা ছাগলী উৎসৰ্গ চকাব আগত পেলায় দিয়ে। দাক্ষিণাত্যৰ শক্তিধৰ্ম্মৰ প্ৰভাব কেবল ইয়াতেই দেখিবলৈ পোৱা যায়। এই সময়ৰ বাহিবে কতো জীব বধ কবা দেখা নেযায়। উৎসব ভগাৰ শেষ দিনা মন্দিবৰ এহেজাৰ খুটাৰ মণ্ডপৰ ভিতবত এখন বৰ ডাঙৰ মেলা হয়। সেই মেলাত নানা ধৰণৰ বস্ত্ৰ ওলায় আৰু বিক্ৰী কবে। মতা মাইকী লৰা-ছোৱালী সকলোবেই সেই মেলা চাবলৈ যায়। মানুহৰ ইমান ভিৰ যে তাৰ মাজত সোমাবলৈ হলে কেতিয়াবা যে ওলাই আহিব পৰা যাব তাক ভাবিবই নোৱাবি। মন্দিবৰ ভিতবে বাহিবে যিমান বস্ত্ৰ আৰু সম্পত্তি আছে তাবো মূল্য অশেষ। লিখকে যিমান দূৰ জানিব পাবিলে তাৰ পৰা বুজা যায় কেবল অকল মন্দিবৰ সম্পত্তিৰ দামেই প্ৰায় ৩০ লাখ টকাৰ মূল্য হব।

হায়! হিন্দুবজা সকলৰ ধৰ্ম্মৰ কাৰণে কি ভীষণ

ত্যাগ। যিয়াগাবাজ অথাৎ ত্যাগ বাজ মহাপুৰুষে ধৰ্ম্মৰ কাৰণেই কিমান ত্যাগ কবিলে তাৰ দ্বিতীয় উদাহৰণ বুৰঞ্জীত পাবলৈ নাই। ধৰ্ম্ম কাৰণে বজাসকলে টকা, কি হল। আজি সেই বজা নাই, কিন্তু সেই সম্পত্তি, দেশ, দেহা আৰু অন্য নেলাগে নিজৰ একমাত্ৰ পুতেকে উছৰ্গা কবিলে, এই ধৰ্ম্ম কাৰণেই আজি গোটেই ভাৰতৰ মন্দিববোবৰ অৱস্থা কেনে জয় জয় ময় ময় হৈ আছে। কবলৈ গলে বজাৰ ধনৰ ভবাল আছিল মন্দিবেই। মন্দিবতেই বজা সকলে সকলো টকা স্বমাই থৈ গৈছে। সেই বাজভবালস্বৰূপ মন্দিবৰ অৱস্থা আগত দাঁড়ি ধবি থাকিব।

শৰাইঘাট

গীত— —শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী বি-এল

শৰাই-শিল ! শৰাইঘাট !!
জিলিকিছিলি কি গবিমাত —
জাতিৰ গুৰু শৰাইঘাট !

(আজি) নিষ্প্ৰভ দীপ মৌন দিশা,
আসন্ন ঘোৰ বিভীষিকা,—
(এই) হীন নিষ্ক্ৰিয়তা জিনি
(মাথোঁ) পাষাণে তোৰ দিছে মাত ;
লোহিতৰ স্তব্ধ তীৰে
মৌনতাই উজাগৰে,
কত যুগ-যুগান্তৰে সহি ঘাত-প্ৰতিঘাত
দেবুৰাই দিছ বাট—
অশ্ৰুমুখী সভ্যিতাৰ ধ্ৰুব-জ্যোতি শৰাই ঘাট।

অসম সাহিত্য সভাৰ

সভাপতিৰ অভিভাষণ

[পঞ্চদশ অধিবেশন]

—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দ চন্দ্ৰ আগৰৱালা

"প্ৰথমে প্ৰণমো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥"

মঙ্গলাচৰণ।

(—কীৰ্ত্তন—শঙ্কৰদেৱ)

হে পূৰ্ণ পৰব্ৰহ্ম জ্যোতিস্বৰূপ, জগতৰ মাতাপিতা, গুৰু আত্মা তুমিয়েই নিৰাকাৰ, নিৰ্গুণ সাকাৰ সগুণ ত্ৰিগুণাত্মা জগত চৰাচৰলৈ প্ৰত্যক্ষ পূৰ্ণৰূপে বিৰাজমান আছা। তোমাক বাৰম্বৰ প্ৰণাম কৰোঁ। তুমি নিজগুণে আমাৰ সকলো অপৰাধ ক্ষমা কৰি শান্তিবিধান কৰাঁ, মঙ্গলবিধান কৰাঁ। তোমাৰ কৃপাত যেন এই সন্মিলনৰ কাৰ্য্য সুকলমে সমাধা হৈ সাফল্য মণ্ডিত হয়, এই প্ৰাৰ্থনা।

অসত্য অজ্ঞান নাশি দিয়া সত্যজ্ঞান।
তিমিৰ বিনাশি প্ৰভু, দিয়া জ্যোতিদান॥
মৃত্যু হন্তে নিয়া প্ৰভু, অমৃতৰ ধাম।
হে সত্য অমৃত জ্যোতি তোমাক প্ৰণাম॥

আৰম্ভণ

আদৰণী সমিতিৰ সভাপতি ডাঙ্গৰীয়া, আই আৰু সভাসদ বন্ধুসকল, আপোনাসকলক নমস্কাৰ কৰিছোঁ। অসম সাহিত্য সভাৰ এই অধিবেশনৰ মোক সভাপতি পতা বাবে অপোনাসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগ বঢ়াইছোঁ. এই বিৰাট সন্মিলনৰ সভাপতিৰ গধূৰ ভাৰখন মোৰ নিচিনা নিশকতীয়াৰ পক্ষে বলে নোৱাৰা শিল যেন লাগিছে। বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰি দূৰতে বিদূৰ হোৱাই বোধ কৰোঁ ভাল আছিল। কিন্তু ভাবি চালোঁ, এই অভাজনৰ ওপৰত দেশ মাতৃৰ ডাক পৰিছে। সেই ডাক শুনিলে কি কোন সন্তানে হাত সাৱটি নীৰৱে বহি থাকিব পাৰে? আপোনাসকলৰ আদেশ শিৰোধাৰ্য্য কৰি বিনীত ভাবে মাতৃ-পূজাৰ বেদীৰ সন্মুখত থিয় হৈ আপোনাসকলৰ আশীৰ্ব্বাদ মাগিছোঁ। তাহানি ছাত্ৰ অৱস্থাত এদিন লিখিছিলোঁ।

"যদিও বীণত মই নহওঁ পাৰ্গত,
যদিও বা কণ্ঠ মোৰ নিচেই কঠুৱা,
যদিও বা বাহু মোৰ নহয় শকত,
যদিও বা ভাব মোৰ নহয় সাৰুৱা,
তথাপি ই মুখে আই তযু গুণ গাম,
তোমাৰ কাৰণে এই বাহুৰে যুঁজিম,
তোমাৰ কাৰণে আই ই বীণ বজাম,
তোমাৰ কাৰণে আই লেখনী লিখিম।
বজাম ই ক্ষুদ্ৰ বীণ গাম উদগনি,
পৰিলে কাণত আই ই বীণৰ তান,
শুনিলে প্ৰাণৰ মোৰ আকুল বিননি,
কি জানি উঠে বা জাগি এটি সুসন্তান,

ছাত্ৰ অৱস্থাত যি অদম্য, মহতী আশা বুকুত বান্ধি মাতৃভূমি আৰু মাতৃ-ভাষাৰ সেৱা কৰিম বুলি আলচিছিলোঁ কাৰ্য্যক্ষেত্ৰত সেইটো হৈ নুঠিল। বাৰে কুৰি জঞ্জালেৰে ভৰা পুলিচ-বিভাগত সোমাই ৩৫ বছৰ কাম কৰি যোৱা ১৯৩০ চনত অৱসৰ ললোঁ। জীৱনৰ যিখিনি উত্তম সময়, সেইখিনি এই দৰেই অতিবাহিত হল। কেৱল মাজে সময়ে দুটি এটি অলাগতীয়া প্ৰবন্ধ লিখি মনৰ হেপাহ পলুৱাইছিলোঁ। যদিও মই আশানুৰূপে মাতৃ-ভাষাৰ সেৱা কৰিব নোৱাৰিলোঁ, তথাপি বিহগী কবি শ্ৰীযুত ৰঘুনাথ চৌধুৰীদেৱৰ ভাষাৰে কবৰ মন যায়:—

"মাতৃভাষা, তুমি মোৰ জীৱন দায়িনী,
সাহিত্যৰ অধিষ্ঠাত্ৰী জ্ঞান-প্ৰসবিনী।

নেজানো পূজাৰ বিধি সৰল বন্দনা,
নোৱাৰো ৰচিব তযু গীত আৰাধনা,
নেজানো গঢ়িব আই প্ৰেম-পুষ্পহাৰ,
নাই ক্ষুদ্ৰ হৃদয়ত কবিত্ব সম্ভাৰ।
তল-সৰা দুটিমান ভাবৰ কুসুম,
আনিছোঁ পূজিব তযু চৰণ পদুম।

অসম সাহিত্য সভাৰ এই পঞ্চদশ বছেৰেকীয়া অধিবেশন মঙ্গলদৈ চহৰত পতা বাবে আদৰণী সমিতিৰ সভাপতি, সভ্য সকল স্বয়ং সেৱক সকল, মঙ্গলদৈ মহকুমাৰ বাইজ আৰু সুযোগ্য মহকুমাধিপতি বন্ধুবৰ শ্ৰীযুত কালিৰাম মেধি, এম-এ, ডাঙ্গৰীয়াৰ শলাগ লওঁ। মঙ্গলদৈৰ এই শুভ জাগৰণত সদৌ অসমে ৰং পাইছে. এই সাহিত্য সন্মিলনীৰ নিমন্ত্ৰণৰ সুযোগ লৈ মই সকলোৰে ওচৰত মূৰ দোঁৱাই মোৰ প্ৰীতি-সম্ভাষণ আৰু আন্তৰিক শ্ৰদ্ধা জনাইছো। আশা কৰোঁ আপোনাসকলৰ পৰা বন্ধুত্বৰ প্ৰাণৰ পৰশ পাই কৃতাৰ্থ হ'ম।

আজি আমাৰ আনন্দৰ দিন। চাৰিওফালৰ পৰা জাতিবৰ্ণ নিৰ্ব্বিশেষে অসম মাতৃৰ সন্তান সকলে মাতৃ-পূজাৰ অৰ্ঘ্য হাতত লৈ এই মঙ্গলদৈ চহৰত, এই সভামণ্ডপত উপস্থিত। বাণীৰ মন্দিৰত কোনো ভেদ বৈষম্য নাই অস্পৃশ্যতা নাই।

"সৌভাগ্যৰ দিন আজি সুখ-আৱাহন
ভাইবন্ধু চেনেহৰ অপূৰ্ব্ব মিলন।"

"মঙ্গলদৈ", এই নামটি সুন্দৰ, এই নামটিৰ লগত কোচ-ৰাজবংশৰ এগৰাকী ৰাজকুঁৱৰীৰ নাম গঁথা আছে।

মঙ্গলদৈ।

বুৰঞ্জীৰ পৰা জনা যায় যে সপ্তদশ খৃষ্টাব্দৰ আগছোৱাত কোচবিহাৰৰ পৰা অসমৰ ফালে অহা ৰজা ৰঘুদেৱনাৰায়ণে নিজৰ দেশত শান্তিৰে থাকিবলৈ তেওঁৰ মঙ্গলদৈ নামে জীয়েকক অসমৰ বুদ্ধি স্বৰ্গনাৰায়ণ বা চুচেঙ্গফা স্বৰ্গদেৱক সম্প্ৰদান কৰাত স্বৰ্গদেৱে তেওঁক অভয় দান কৰিলে। ৰাজা ৰঘুদেৱ নাৰায়ণ অসম-গৌৰৱ বীৰবৰ শুক্লধ্বজ বা চিলাৰায়ৰ পুতেক। ৰঘুদেৱৰ দ্বিতীয় পুত্ৰ বলীনাৰায়ণ ওৰফে ধৰ্ম্মনাৰায়ণ আৰু তেওঁৰ বংশধৰ সকলে বহুকাল দৰঙ্গত ৰাজত্ব কৰিছিল। দৰঙ্গী ৰজাসকলৰ আশ্ৰয়ত অনেক বিদ্যাৱন্ত শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ আৰু দৈৱজ্ঞ পণ্ডিত এই অঞ্চলত বাস কৰিছিল। ইয়াত সূৰ্য্যখড়ি দৈৱজ্ঞই লিখা "দৰঙ্গৰাজবংশাৱলী" পুথিখন গৱৰ্ণমেণ্টে প্ৰকাশ কৰিছে। ভৱানন্দ মিশ্ৰৰ "গোবিন্দ চৰিত", কবিৰাজ দৈৱজ্ঞৰ "শিয়াল গোসাঁইৰ পুথি" এতিয়ালৈকে ছপা হৈ ওলোৱা নাই। তেনেকুৱা ছপা নোহোৱা ভালেমান পুৰণি পুথি এই ফালে আছে বুলি শুনিছোঁ। দৰঙ্গৰ এইখণ্ড ওজা-পালীৰ নিমিত্তে প্ৰসিদ্ধ। সাধাৰণ লোক-শিক্ষা আৰু আমোদৰ কাৰণে ওজা-পালী লাগতিয়াল।

এই মহকুমাৰ পশ্চিম সীমাত থকা বৰ নদীৰ নাম সুমঙ্গলা বা মঙ্গলা আছিল। এই চহৰৰ কাষেদি মঙ্গলদৈ নামেও এখন নদী বৈ আছে। বড়ো বা কচাৰী ভাষাত নদীক দি, দিয়া বা দৈ বোলে। যেনে দিখৌ, দিচাং, পগলা দিয়া, কালদিয়া, দৈপাং বা ত্ৰিশূলদৈ। "দৈ" "দেৱী" শব্দৰ অপভ্ৰংশ বুলিও বোধ হয়। এই মহকুমাৰ ভিতৰত ভৈৰৱ কুণ্ড নামে প্ৰসিদ্ধ তীৰ্থস্থান আছে। সেই তীৰ্থ ওদালগুৰিৰ পৰা উত্তৰে ১০ মাইল দূৰৈত। ৰৌটা আৰু ধনশিৰি বা ধনিষ্ঠা বা ধনদা নৈ দুফালৰ কুল্ কুল কৰে শিলৰ ওপৰেদি বৈ আহি যি ঠাইত লগ লাগিছে, সেয়ে ভৈৰৱকুণ্ড। "দৰঙ্গ-ৰাজ-বংশাৱলী" পুথিত লিখা আছে যে যেতিয়া মহাৰাজ নাৰায়ণ আৰু তেওঁৰ ভায়েক চিলাৰায়ে অসম আক্ৰমণ কৰিবলৈ আহে, তেতিয়া তেওঁলোকে ভৈৰৱকুণ্ডৰ ওচৰত কিছুদিন বাস কৰি তাত এক দুৰ্গ আৰু নগৰ নিৰ্ম্মাণ কৰা হৈছিল আৰু চণ্ডিকা দেৱীৰ মঠ সজাইছিল। ত্ৰিশূলদৈ বা দৈপদং নৈৰ পূবে দেৱীৰ মঠ আছিল। উক্ত পুথিত আছে,—

"অনন্তৰে ভ্ৰামৰী কুণ্ডক গৈ পইলা।
দো নদীৰ মুখে ৰাজা নগৰ সজাইলা॥
পৰ্ব্বতৰ শিল আনি গড়ক নিৰ্ম্মিলা।
চণ্ডিকা বেহাৰ হেন নগৰ কৰিলা॥
ত্ৰিশূলদৈৰ পূৰ্ব্বে দেৱী গৃহ অনুপম।
* * *
মঠ আদি বহু যত্নে নৃপতি নিৰ্ম্মিলা।
দেৱীৰ প্ৰতিমা আনি তাহাত থাপিলা॥"

ইয়াত দো নদীৰ মুখ হৈছে ৰৌটা আৰু ধনশিৰীৰ মুখ। ভৈৰব হৈছে—মহাভৈৰব, আৰু ভৈৰবী—ভ্ৰামৰী সেই বাবেই পুথিত ভৈৰৱকুণ্ড নুবুলি ভ্ৰামৰী কুণ্ড বোলা হৈছে।

মঙ্গলদৈ মহকুমাৰ ভিতৰত কুকৰা নামে যিটো পৰ্ব্বত আছে তাৰ নাম পূৰ্ব্বে ক্ৰৌঞ্চ পৰ্ব্বত আছিল। কুকৰাৰ উত্তৰে যি সাতখন পৰ্ব্বত আছে তাক সপ্তৰ্ষি বোলে। ক্ৰৌঞ্চ পৰ্ব্বতৰ অগ্নিদিশত যিটো "মাছ-পুৰি-খোৱা" নামৰ পৰ্ব্বত আছে, তাৰ নাম পূৰ্ব্বে দশাশ্বমেধ আছিল। এই বিলাক তীৰ্থক্ষেত্ৰ। ইয়াৰ বাহিৰেও ইয়াত কেইখনমান দেৱালয় আৰু সত্ৰ আছে।

বন্ধুসকল, "A nation lives by the memory of its heroes" এই কথাষাৰ এখন ইংৰাজী কিতাপত পাইছিলো। এটা জাতীৰ বীৰ সকলৰ স্মৃতিয়ে সেই জাতিটোক জীৱন্ত, জাগ্ৰত আৰু সবল কৰি ৰাখে। যি জাতিয়ে নিজৰ জাতীয় বীৰ সকলক পাহৰি যায়, বীৰপূজা নকৰে, সেই জাতি ক্ৰমে ক্ৰমে মৃতপ্ৰায় হৈ অধোগতি প্ৰাপ্ত হয়। অসম-মাতৃ ৰত্নগৰ্ভা। ইয়াত কালে কালে অনেক ধৰ্ম্মবীৰ আৰু কৰ্ম্মবীৰে জন্মগ্ৰহণ কৰি এই দেশক মহৎ, পৱিত্ৰ আৰু ধন্য কৰি গৈছে। আজিৰ এই শুভ-সন্মিলনত আহক আমি সকলোটিয়ে তেওঁলোকক স্মৰণ কৰোঁ। অসমৰ উজ্জ্বলতম নক্ষত্ৰ চিৰপূজ্য শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰমুখ্যে যি সকল মহাপুৰুষে আমাৰ ভাষা আৰু সাহিত্যৰ হিৰণ্ময় মন্দিৰ নিৰ্ম্মাণ কৰি গল, সেই পুণ্যাত্মা সকলৰ উদ্দেশে আমাৰ ভক্তিৰ পুষ্পাঞ্জলি দিওঁ আহক। আনন্দৰাম বৰুৱা, আনন্দৰাম ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, লম্বোদৰ বৰা, সত্যনাথ বৰা, হেমচন্দ্ৰ গোস্বামী আদি যি সকলে সেই মন্দিৰ মেৰামত কৰি ভাগিবলৈ নিদিয়াকৈ ৰাখিলে সেই সকলক স্মৰণ কৰোঁ আহক। অসমীয়া জাতি অগুণকাৰী নহয়। অগুণকাৰী হোৱা হ'লে তেওঁলোকে আজি অতকাল মহাপুৰুষ সকলৰ তিথি পালন কৰি নাথাকিলহেঁতেন। কিন্তু অকল ৩।৪ জন মহাপুৰুষৰ তিথি পালন কৰিলেই বীৰপূজা নহয়। অসমৰ প্ৰায় প্ৰত্যেক স্কুলতে সৰস্বতী পূজা হয়। কিন্তু জাতীয় বীৰ-পূজা কেইখন স্কুলত হয়? অসমীয়া লৰাছোৱালী অসমীয়া জাতিৰ অমূল্য সম্পত্তি, জাতিৰ ভবিষ্যৎ আশা-ভৰসাৰ থল। এই লৰাছোৱালী বিলাকৰ অন্তৰত শিশুকালৰ পৰাই স্বদেশানুৰাগ আৰু স্বজাতি-প্ৰেমৰ বীজ বপন কৰিব লাগিব। সিহঁতক প্ৰকৃত মানুহ, প্ৰকৃত বীৰ কৰি তুলিবলৈ হলে, প্ৰত্যেক স্কুলত জাতীয় বীৰ সকলৰ স্মৃতি-সভা পতা উচিত বুলি ভাবোঁ।

বীৰ-পূজা।

অসম দেশ আমাৰ মাতৃভূমি। শিশু সন্তানে যেনেকৈ মাকৰ পীয়াহ খাই মাকৰ কোলাত ডাঙৰ দীঘল হয়, আমিও তেনেকৈ আমাৰ দেশ-মাতৃৰ অন্ন-পানী, ফল-ফুল, ৰদ, বতাহ-বৰষুণ উপভোগ কৰি তেওঁৰ কোলাত ডাঙৰ-দীঘল হৈ সুখেৰে বাস কৰিছোঁ। অসমৰ মাটি, অসমৰ পানী, ফল-ফুল, শস্য গছ-লতা এনে কি যান-বানহবিলাকো আমাৰ প্ৰিয়। আমি এই দেশত উপজি এই দেশতে মৰিবলৈ বাঞ্ছা কৰোঁ। এই দেশত জন্মলাভ কৰি আমি আমাৰ জীৱন সাৰ্থক বুলি ভাবোঁ। অসমীয়া বুলি জগতৰ আগত চিনাকি দি গৌৰৱ লাভ আমি কৰোঁ। কিন্তু আমাৰ এই 'স্বৰ্গতো অধিক জনমভূমিৰ' নাম আগেয়ে অসম নাছিল। আহোম-ৰাজত্বত আমাৰ দেশৰ নাম অসম হয়। শ্যাম বা স্বান্ জাতিৰ ভিতৰত "টাই" এটা সম্ভ্ৰান্ত পৰিয়াল। আহোমসকল সেই পৰিয়ালৰ লোক। আদিতে তেওঁলোকে চিনাকি দিওঁতে 'আস্বান্' বা 'আশ্যাম' বুলি কৈছিল। সেই শব্দৰ লেচু লৈ আমাৰ বাপুসকলে বিজয়ী চুকাফা ৰজা আৰু তেওঁৰ লগৰ সৈন্য-সামন্ত বিলাকৰ প্ৰতি সংস্কৃত মূলক 'অসম" নাম প্ৰয়োগ কৰিলে। পাছে যিমান দূৰলৈকে আহোম ৰজাই দেশ অধিকাৰ কৰিলে, সিমান দূৰলৈকে দেশৰ নামো "অসমৰ দেশ" বা "অসম দেশ" বুলি জনাজাত হল। আহোম ৰাজত্বৰ পূৰ্ব্বে কোনেও এই দেশক "অসম" নুবুলিছিল। আহোম বা অহম সকলক যে পূৰ্ব্বে অসম বোলা হৈছিল, সেইটো পুৰণি পুথি আদিৰ পৰাও জনা যায়। যেনে :—

"ৰাম বুলি তৰে মিৰি অসম কচাৰী।"

"অসম" শব্দটো সংস্কৃত ভাষাৰ "অসমঃ" শব্দৰ

অসম

অপভ্ৰংশ। বিশেষ্যত তাৰ অৰ্থ বুদ্ধ, আৰ্য্য, গুণাকৰ জিতাৰি, মহাবল, জ্ঞানী আৰু সম্ভ্ৰান্ত ডাঙৰ বংশৰ লোক বুজায়। বিশেষণত "অসম" বুলিলে অতুল্য আৰু বিষম বুজায়।

'অসম' শব্দ ব্যৱহাৰ কৰাৰ পৰা আমাৰ দেশৰ বিষয়ে তিনটা কথা মনত খেলায়। যেনে :—(১) প্ৰাকৃতিক সৌন্দৰ্য্য আৰু মাহাত্ম্যত এই দেশৰ সম বা সমান আৰু কোনো দেশ নাই, (২) ইয়াৰ ভূ-ভাগ সকলো ঠাইতে সম বা সমতল নহয়। (৩) অতীত গৌৰৱত ইয়াৰ সমতুল্য দেশ বিৰল আছিল। ই আদিস্বৰ্গ, সুৰালয় আৰু পুণ্যভূমি। এসময়ত ই এখন প্ৰতাপী সাম্ৰাজ্য আছিল।

ছশবছৰীয়া আহোম ৰাজত্বৰ অমৰ কীৰ্ত্তিস্বৰূপে আমাৰ দেশে "অসম" নামৰ মুকুট পিন্ধি জগতত জনাজাত হল। কালত অহম জাতিৰ অন্যান্য কীৰ্ত্তিকলাপ লোপ পালেও "অসম" নামেই তেওঁলোকক চিৰস্মৰণীয় কৰি ৰাখিব। মোৰ বোধেৰে লোকে আমাৰ দেশক "আসাম" (আচাম) বুলিলেও আমি "অসম" লিখাহে উচিত। আমাৰ দেশৰ দুই এজন শিক্ষিত লোকৰ মুখে শুনিছোঁ যে "অসম" নামৰ পৰিবৰ্ত্তে আকৌ ইতিহাস-পুৰাণ প্ৰসিদ্ধ পুৰণি গৌৰৱমণ্ডিত প্ৰাগ্‌জ্যোতিষ বা কামৰূপ নাম চলাবলৈ চেষ্টা কৰিব লাগে। কিন্তু সেইটো মোৰ মত নহয়। আমি আমাৰ মৰমৰ মাতৃভূমিৰ যি নাম এতিয়া পাইছো, তাক মূৰ দোঁৱাই সাদৰে গ্ৰহণ কৰিছোঁ, আগলৈকে গ্ৰহণ কৰি থকাই ভাল দেখোঁ। নামৰ পৰিবৰ্ত্তনৰ পৰা বিশেষ একো হানি নাই। গোলাপ ফুলক যদি আমি গোলাপ নুবুলি আন এটা নাম দিওঁ তেন্তে গোলাপৰ সুগন্ধত কিবা ব্যতিক্ৰম ঘটিব নে?

স্বৰ্গীয় হৰকান্ত বৰুৱাৰ "অসম-বুৰঞ্জীত" 'অসম' নামৰ উৎপত্তিৰ বিষয়ে এই দৰে লিখা আছে,—'চুকাফা ৰাজাদেৱে মট্‌কক খৰিভাৰী ও বাৰীচোৱা কৰি কৌশলে ললে। বৰাহীক কাঠকটীয়া ও ৰান্ধনী চাংমাই ও ভৰালী ও জৰাধৰা ও বেজ ও কুকুৰাচোৱা, এনে বনুৱা কৰি ললে। এই বৰাহীয়ে এই ৰাজ্যত কোৱা মেলা কৰিবলৈ ধৰিলে বোলে এই ৰজা-প্ৰজাখন আহি আমাক ছলেৰে বনুৱা কৰি ললে, তথাপি আমাৰ মনে বিষম নালাগে। এই দৰেই খাটি লুটি অহা-যোৱাকৈ থাকিবৰ মনহে যায়। এতেকে ইহত দেও-সঁচ মানুহ। ইহঁতৰ সম কোনো নাই। ইহঁত অসম মানুহ। এইৰূপে ৰাজ্যত কৈ ফুৰোতে অসম নাম খ্যাত্ হ'ল দেখি, তেতিয়াৰ পৰা ৰজা আৰু প্ৰজা সকলকো অসম বুলিলে। এই অসমৰে দেশ হ'ল কাৰণে "অসমৰ দেশ" বোলে ও অহম জাতিও বোলে।"

স্বৰ্গীয় কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীতো সেই একে কথাই লিখা আছে।

অসমৰ মাটি অতিশয় উৰ্ব্বৰা। ইয়াত মানুহৰ জীৱন-ধাৰণৰ লাগতিয়াল সকলো প্ৰকাৰৰ শস্য, গছ-লতা, ফল-ফুল জন্মে। ইয়াৰ অৰণ্যত শাল, সোণাৰু, কহিৰ, নাহৰ, সৰল পদ্ম আদি মূল্যবান গছ পোৱা যায়। ইয়াৰ কোনো কোনো পৰ্ব্বতত অগৰু চন্দন পোৱা যায়। ইয়াৰ মৃগনাভি নেপাল, কাশ্মীৰ আদি দেশৰ মৃগনাভিতকৈ উৎকৃষ্ট বুলি শাস্ত্ৰত লিখা আছে। ই পবিত্ৰ যজ্ঞীয় দেশ; ইয়াৰ উত্তৰ ফালৰ পৰ্ব্বত বিলাকত এতিয়াও কৃষ্ণসাৰ পহু চৰি ফুৰা দেখিবলৈ পোৱা যায়। অসমৰ এৰি, মুগা, পাট, চাহ ৰবৰ কোমল চাউল জগত বিখ্যাত। ব্ৰহ্মপুত্ৰৰ উত্তৰ কুলৰ প্ৰায় সকলো নদীতে আগৰ দিনত মানুহে সোণ কমাইছিল। সোণৰ নিমিত্তে অসম প্ৰসিদ্ধ আছিল। অতীজত ভূতস্থান বা ভোটান অসমৰ ভিতৰত আছিল। ভোটানত সোণৰ আৰু তামৰ খনি আছিল বুলি জনা যায়। আমাৰ মানুহে এতিয়াও "ভোটৰ সোণ" কোৱা শুনা যায়। এইদেশত লো তৈয়াৰ হৈছিল। চীন দেশৰ মানুহৰ বিশ্বাস যে বাৰুদ প্ৰথমে অসমত আবিষ্কাৰ হৈছিল। মুক্তিকল্পতৰু পুথিত লিখা আছে যে অসম-কামৰূপৰ পূব-দক্ষিণে ফালে থকা মাতঙ্গ নামে ঠাইখন হীৰাৰ খনিৰ নিমিত্তে বিখ্যাত আছিল। নাগমাটি বা কয়লা, মাটিতেল বা কেৰাচিনতেল পেট্ৰল, শিলচূণ, বালিচন্দা, আদিৰ খনি আৰু লোণ-পুং অসমত আছে। অসম প্ৰকৃতিৰ কাম্য-কানন। এজন মুছলমান ঐতিহাসিক অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মুগ্ধ হৈ

সোণৰ অসম

ইয়াক "আম্মান" অৰ্থাৎ স্বৰ্গ বুলিছে। আহোম সকলে যেতিয়া এই দেশ অধিকাৰ কৰে, তেতিয়া তেওঁলোকে ইয়াক "সোণৱালী বাগিচাৰ দেশ" (মুংচুন্‌চুন্‌খাম্) আৰু "সোণৰ সঁফুৰা" বুলিছিল! অতীজত এই দেশৰ পশ্চিমে এখন সাগৰ আছিল। গোৱালপাৰা জিলাৰ পশ্চিমাংশ, সুৰমা উপত্যকাৰ কিছু অংশ আৰু প্ৰায় গোটেইখন বঙ্গদেশ সেই সাগৰৰ গৰ্ভত আছিল। গাৰো পাহাৰ সেই সাগৰৰে এটা উপদ্বীপ আছিল। তেতিয়া এই দেশ অতিশয় স্বাস্থ্যকৰ আছিল। সেই নিমিত্তে এসময়ত ইয়াক স্বঃ বা ভূস্বৰ্গ বোলা হৈছিল। আমাৰ মানুহে এতিয়াও এই দেশক 'সোণৰ অসম' বোলে।

প্ৰায় ৩০০ বছৰৰ আগেয়ে ট্ৰেভেৰ্নিয়াৰ ছাহাবে লিখি গৈছে,—"এশ্যিয়াৰ ভিতৰত অসম দেশ এখন অতি উত্তম দেশ। কিয়নো এই দেশত মানুহে জীৱন ধাৰণ কৰিবলৈ যি যি বস্তু লাগতিয়াল, সেই সকলো বোৰেই জন্মে। মানুহে একো বস্তুৰ নিমিত্তে পৰদেশৰ ওচৰত হাত পাতিব নালাগে। এই দেশৰ মাটি অত্যন্ত সাৰুৱা। এই দেশত সোণ, ৰূপ, তীখা, সীহ আৰু লোৰ খনি আছে, আৰু ইয়াত এবিধ মঠঙ্গা ৰেছমী কাপোৰ অপৰিমিতৰূপে তৈয়াৰ হয়। এই দেশত এবিধ বৰ উত্তম ৰহণ দিয়া বোল পোৱা যায়, তাৰ ৰসেৰে কাপোৰ আদি বোলোৱা হয়, আৰু সিটাৰে কাঠৰ সঁজুলিবিলাক ৰং কৰা হয়। এশ্যিয়া মহাদেশৰ ভিতৰত ই অতি উত্তম ৰহণ।"

"অসমা সুষমা কামৰূপা,
জয়তু জননী ধৰিত্ৰী-দুহিতা,
স্বভাৱ কাম্য কাননা,
শ্যামলা স্বৰ্ণশস্যমালিকা।"

অসমদেশ, বিশেষকৈ অসমৰ পৰ্ব্বতবিলাক অতি পুৰণি। পুৰাণ আৰু তন্ত্ৰত কামাখ্যাৰ যি বিবৰণ আছে, তাৰ পৰা বোধ হয় কামাখ্যা পৰ্ব্বতৰ মনোভাৱ গুহাত আদি মানৱ-দম্পতী স্বায়ম্ভুৱ মনু আৰু গায়ত্ৰীৰ জন্ম হৈছিল। সেই বাবেই কামাখ্যাক জগতাং প্ৰসূঃ ব্ৰহ্মযোনি বোলা হৈছে।

অসমৰ প্ৰাচীনত্ব

Encyclopaedia Britannica পুথিৰ দ্বিতীয় ভাগৰ ৭৬৮ পিঠিত লিখা আছে ;—

"There is positive evidence that much of north and east of Asia has been land since the palaezoic or primary era."

অৰ্থাৎ প্ৰাথমিক যুগতে এশ্যিয়া মহাদেশৰ উত্তৰ-পূৱৰ ভালেখিনি ঠাই স্থলত পৰিণত হৈছিল। আমাৰ অসম দেশখনো সেই স্থলভাগৰ ভিতৰত পৰে।

আদিম অৱস্থাৰ মানুহে ধাতুৰ ব্যৱহাৰ নাজানিছিল; শিলৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিছিল ; পৰ্ব্বতৰ গুহাত বাস কৰিছিল। আদিম অৱস্থাৰ মানুহে ব্যৱহাৰ কৰা শিলৰ কুঠাৰ, মুষল আদি অসম আৰু ব্ৰহ্মদেশত পোৱা গৈছে। বাইবেল শাস্ত্ৰমতে আদিতে মানুহৰ সোঁত পূবৰ পৰাহে পশ্চিমলৈ বৈছিল।

আমাৰ দেশখনেই ভাৰতৰ পূৰ্ব্ব প্ৰদেশ। ইয়াক প্ৰাক্ বা প্ৰাচী দিশ বুলিও কয়। প্ৰাচী দিশৰ ভিতৰত অকল যে আমাৰ দেশখনেই পৰে এনে নহয়, ব্ৰহ্মদেশ আৰু হিমালয়ৰ পূৰ্ব্বাংশও পৰে। "অমৰকোষ" মতে দেৱৰাজ ইন্দ্ৰ প্ৰাচ্য দিশৰ অধিপতি। "কৃষ্ণ যজুৰ্ব্বেদৰ" এটা মন্ত্ৰত লিখা আছে,—"প্ৰাচ্যাং দিশি ত্বমিন্দ্ৰাসি ৰাজা" অৰ্থাৎ হে ইন্দ্ৰ তুমি পূৰ্ব্ব দিশৰ ৰাজা। উক্ত বেদতে লিখা আছে, "প্ৰাচ্যাং দেৱাঃ, প্ৰতিচীং মনুষ্যা উদীচিং ৰুদ্ৰাঃ" অৰ্থাৎ ভাৰতৰ পূৰ্ব্বাংশত দেৱতা সকলৰ আৰু উত্তৰ ফালে ৰুদ্ৰ সকলৰ আবাস। "বায়ু পুৰাণ" আৰু "ব্ৰহ্মাণ্ডপুৰাণে"ও কয় যে পূৰ্ব্ব দিশেই ইন্দ্ৰদ্বীপ বা সুৰালয়। "কালিকাপুৰাণে" কামৰূপক সুৰালয় বুলি স্পষ্টকৈ কৈছে। "যোগিনী তন্ত্ৰই" কামৰূপৰ মানুহক দেৱ বুলিছে। এই দেশৰ কামাখ্যা-পীঠত প্ৰজাপতি দক্ষৰ মায়াপুৰী আছিল। এই দেশৰ বিশ্বনাথত উমা বন আছে। ইয়াতেই ইন্দ্ৰাদি দেৱতাসকল আদিতে বাস কৰিছিল। এই পুণ্যভূমিতেই বশিষ্ঠাদি ঋষি-মুনি সকলৰ আশ্ৰম আছিল। ইয়াত অনেক তীৰ্থস্থান আছে।

স্বয়ম্ভুৱ মনুৰ প্ৰিয়ব্ৰত আৰু উত্তানপাদ নামে পুতেক আৰু প্ৰসূতি নামে এজনী জীয়েক আছিল। প্ৰজাপতি

দক্ষৰ লগত প্ৰসূতিৰ বিয়া হৈছিল। প্ৰিয়ব্ৰতৰ পুতেক আগ্নীধ্ৰ। ৰজা আগ্নীধ্ৰই স্বৰোচিষ মনু নাম লৈ হিমালয় প্ৰদেশত ৰাজত্ব কৰিছিল। তেওঁ তেওঁৰ বিজয় নামে পুতেকক জয়ন্তীয়া পৰ্ব্বতত প্ৰাগবিজয় বা প্ৰবিজয় নামে পুৰীত ৰাজ্যাভিষেক কৰাৰ কথা 'মাৰ্কণ্ডেয় পুৰাণৰ' ৫৭ অধ্যাত লিখা আছে। এই প্ৰাগ্‌বিজয় পুৰী যে অসমৰ জয়ন্তীয়া পৰ্ব্বতত আছিল, সেইটো বাবু নন্দলাল দে প্ৰণীত "The Geographical Dictionary of Ancient India." পুথিৰ ১৫৯ পিঠিত লিখা আছে।

ইলা নামে বৈবস্বত মনুৰ এজনী জীয়েক আছিল। ইলাৰ লগত চন্দ্ৰবংশী বুধৰ বিয়া হৈছিল। তেওঁলোকৰ পুতেকৰ নাম পুৰুৰৱা। উৰ্ব্বশী পুৰুৰৱাৰ ভাৰ্য্যা। তেওঁলোকৰ বংশধৰ অমূৰ্ত্তৰজঃ নামে ৰজাই ত্ৰেতা যুগত প্ৰাগ্‌জ্যোতিষপুৰ নগৰ স্থাপন কৰি তাত ৰাজত্ব কৰাৰ কথা আদি কাণ্ড ৰামায়ণৰ ৩৪ অধ্যাত লিখা আছে।

মহাকবি কালিদাসৰ "ৰঘুবংশ" কাব্যত ৰঘুৰ দিগ্বিজয় বৰ্ণনাত কামৰূপ আৰু প্ৰাগ্‌জ্যোতিষ এই দুয়োটা নামকে পোৱা যায়। কামৰূপৰ ৰাজাই অনেক হাতী দি ৰঘুৰাজাৰ লগত মিত্ৰতা কৰিছিল। এই ৰঘুৰাজা দাশৰথী ৰামচন্দ্ৰৰ উপৰি পুৰুষ। তেওঁ ত্ৰেতা যুগৰ ৰাজা। প্ৰাগ্‌জ্যোতিষৰ ৰাজাই ৰঘুৰ যজ্ঞত বিশেষ সন্মান পাইছিল।

স্বৰ্গীয় দুৰ্গাদাস লাহিড়ী প্ৰণীত "পৃথিবীৰ ইতিহাসৰ" দ্বিতীয় খণ্ডত লিখা আছে, "ত্ৰেতা যুগ হইতে আৰম্ভ কৰিয়া যুগে যুগে প্ৰাগ্‌জ্যোতিষ বা কামৰূপ ৰাজ্যেৰ মাহাত্ম্য-তত্ত্ব পৰিকীৰ্ত্তিত হইয়া আসিতেছে। এক সময়ে কামৰূপ এক প্ৰকাণ্ড ৰাজ্য ছিল।"

শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত নগেন্দ্ৰনাথ বসু প্ৰাচ্যবিদ্যাৰ্ণৱ মহাশয়ৰ মতে এসময়ত কামৰূপৰ ভৌম নৃপতিসকলৰ ক্ষমতা পূবে প্ৰশান্ত মহাসাগৰৰ পৰা পশ্চিমে মগধৰ সীমালৈকে আৰু উত্তৰে হিমালয়ৰ পৰা দক্ষিণে মান্দ্ৰাজ প্ৰদেশৰ গঞ্জামলৈকে বিস্তৃত হৈছিল। প্ৰাগ্‌জ্যোতিষৰ শ্ৰীহৰ্ষবৰ্ম্মাদেৱৰ ৰাজত্বৰ কালত অঙ্গ, বঙ্গ, ওড্ৰ, কলিঙ্গ আৰু দক্ষিণ কৌশল কামৰূপৰ অধীনত আছিল।

মহাভাৰতত গালৱ আৰু গৰুড়ৰ ভ্ৰমণ-প্ৰসঙ্গত গৰুড়ে প্ৰাচী দিশৰ বৰ্ণনা কৰোতে কৈছিল :—

এই প্ৰাচী দিশ স্বৰ্গৰ দুৱাৰ স্বৰূপ। এই পিনেই দক্ষ প্ৰজাপতিৰ জীয়েক অদিতি আদিৰ গৰ্ভত কশ্যপৰ ঔৰসত প্ৰজাসকলৰ উৎপত্তি আৰু বৃদ্ধি হৈছিল ; এইপিনে দেৱতা সকলে শ্ৰীলাভ কৰিছিলি ; এইপিনে ইন্দ্ৰৰ অভিষেক সম্পন্ন হৈছিল ; আৰু এইপিনেই দেৱতাসকলে তপস্যা কৰিছিল। পূৰ্ব্বকালত দেৱতাসকল এইপিনে বাস কৰিছিল। এই নিমিত্তে ইয়াৰ নাম প্ৰাচী বা পূৰ্ব্বদিশ হৈছে, আৰু পূৰ্ব্বপুৰুষ সকলৰ অধিকৃত বুলি বিখ্যাৎ। এই পিনে দেৱতা সকলে সুখাৰ্থী হৈ আটাইবিলাক কাম সমাধা কৰিছিল ; এই পিনে ভূতভাৱন ব্ৰহ্মাই সমস্ত বেদগান কৰিছিল ; এইপিনে সাবিত্ৰী দেৱী সবিতাৰ মুখৰ পৰা উৎপন্ন হৈ ব্ৰহ্মবাদী সকলক আশ্ৰয় কৰিছিল। এই পিনে সূৰ্য্যদেৱে যাজ্ঞবল্কক যজুৰ্ব্বেদবিলাক দান কৰিছিল ; এই পিনে বৰুণদেৱে পাতাল আশ্ৰয় কৰি শ্ৰীলাভ কৰিছে ; এই পিনে মিত্ৰ আৰু বৰুণৰ যজ্ঞকালত পুৰণি বশিষ্ঠৰ উৎপত্তি, প্ৰতিষ্ঠা আৰু নিধন হৈছিল ; এই পিনে ওঁকাৰৰ দহ হেজাৰ পথ উৎপন্ন হৈছে ; এইপিনে ধূমপায়ী মুনি সকলে আজ্যধূম পান কৰি থাকে ; এইপিনে দেৱৰাজে দেৱতাসকলৰ নিমিত্তে যজ্ঞভাগ কল্পিত কৰিছে। এই পূৰ্ব্ব দিশেই ত্ৰিলোকৰ দ্বাৰ, স্বৰ্গৰ দ্বাৰ আৰু সুখৰ দ্বাৰ।

প্ৰায় পাঁচ হেজাৰ বছৰৰ পূৰ্ব্বে কুৰুক্ষেত্ৰত মহাভাৰতৰ যুদ্ধ হৈছিল। সেই যুদ্ধলৈ প্ৰাগ্‌জ্যোতিষাধিপতি ভগদত্ত তেওঁৰ বৈনায়েক দুৰ্য্যোধনৰ ফলীয়া হৈ মহা আড়ম্বৰেৰে গৈছিল। কিন্তু তাৰ বহুপূৰ্ব্বে এই দেশেই ইন্দ্ৰৰ কান্তা বনাদিমণ্ডিত আদিস্বৰ্গ আছিল। দেৱাসুৰৰ যুদ্ধত দেৱতা সকলে হাৰি ব্ৰহ্মদেশত গৈ আশ্ৰয় লৈ তাত নতুনকৈ স্বৰ্গৰাজ্য স্থাপন কৰিলত এই দেশ স্বৰ্গৰাজ্যৰ দুৱাৰস্বৰূপ হৈছিল। স্বৰ্গভূমিৰ ৰাজাৰ উপাধি ইন্দ্ৰ। প্ৰাগ্‌জ্যোতিষৰ ভগদত্ত তেওঁৰ সময়ৰ ইন্দ্ৰৰ সখিয়েক আছিল। ৰামায়ণ, মহাভাৰত আৰু প্ৰায় সকলো পুৰাণতে প্ৰাগ্‌জ্যোতিষ বা কামৰূপৰ উল্লেখ পোৱা যায়। গোটেইখন "কালিকাপুৰাণ" কামৰূপৰ কথাৰেই ভৰা।

উক্ত পুৰাণৰ ৩য় অধ্যাত লিখা আছে,—ভগৱান বিষ্ণুৱে তেওঁৰ পুতেক নৰকক কৈছিল,—"কৰতোয়া নামে সত্যগঙ্গাৰ পুৰ পাৰৰ পৰা ললিতকান্তা বা দিককৰবাসিনী পৰ্য্যন্ত এই সমুদায় ঠাই তোমাৰ ভৱন হব। তাত দেবী মহামায়া জগৎ-প্ৰসবিনী যোগনিদ্ৰাই কামাখ্যাৰ ৰূপ ধাৰণ কৰি সদায় বিৰাজ কৰিছে; ব্ৰহ্মপুত্ৰ নদৰাজ পৌহিত্য বৈ আছে। এই পুণ্যভূমিত দশদিকপাল সকলেও নিজৰ নিজৰ ঠাইত অবস্থান কৰি আছে; ইয়াত স্বয়ং মহাদেৱ, ব্ৰহ্মা আৰু মই বিষ্ণু সদায় থাকোঁ; চন্দ্ৰ-সূৰ্য্যও সততে ইয়াত বাস কৰে; ই অতি বহুস্তময় উত্তম স্থান; এই নিমিত্তে সকলো দেৱতাই ক্ৰীড়া কৰিবলৈ ইয়ালৈ আহে; ইয়াতে ভদ্ৰা নামে লক্ষ্মী থাকে; ই অতি গোপনীয় আৰু ভোগৰ ঠাই। পূৰ্ব্বে ব্ৰহ্মাই ইয়াত অৱস্থান কৰি এটি নক্ষত্ৰ সৃষ্টি কৰিছিল। সেই নিমিত্তে ইন্দ্ৰপুৰীৰ নিচিনা এই পুৰীৰ নাম প্ৰাগ্‌জ্যোতিষপুৰ হল।"

অসমৰ প্ৰাচীনত্ব বিষয়ে সৰহ কথা কৈ আপোনাসকলক আমনি কৰিবৰ ইচ্ছা নকৰোঁ। ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱাৰ "Early History of Kamarupa" পুৰণি অসমৰ এখন মূল্যবান ইতিহাস; সেই পুথি আৰু "অসমৰ পুৰাবৃত্ত" নামে মোৰ দি প্ৰৰদ্ধাৱলী"বাহী"কাকতত প্ৰকাশ হৈ গৈছে তাক পঢ়িলে এই সম্বন্ধে অনেক কথা জানিব পাৰিব। ইমান এখন প্ৰাচীন, পবিত্ৰ আৰু মহিমামণ্ডিত দেশৰ মানুহৰ ভাষাও যে প্ৰাচীন তাক বোধ কৰোঁ নকলেও হ'ব। সমগ্ৰ সভ্য জগতৰ আদি পুথি ঋগ্বেদত আৰ্য্য জাতিৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শিক্ষা-দীক্ষা, কৃষি-কৰ্ম্ম, জল-বায়ু, গছ-লতা, পশু-পক্ষী আদিৰ যি বৰ্ণনা আছে, সেই বিলাকৰ লগত আমাৰ দেশৰ ৰীতি নীতি আদিৰ এতিয়াও কিছু মিল দেখা যায়। ঋগ্বেদৰ নিয়মে এতিয়াও আমাৰ দেশত তিৰোতাই তীত বাতি কৰে, কাপোৰ বয় কেকমণি পিন্ধে; মতা মানুহৰ সাজপাৰো বৈদিক যুগৰ নিচিনা। অনেক বৈদিক শব্দ আমাৰ ভাষাৰ শব্দাৱলীৰ মাজত অল্পাধিক ৰূপান্তৰিত ভাৱে চলি আছে। প্ৰাচীন কালৰ যিবিলাক শিলৰ মূৰ্ত্তি আমাৰ দেশত পোৱা গৈছে, সেই বিলাকৰ বসন ভূষণো বৈদিক সাহিত্যত লিখা বসন-ভূষণৰ লগত প্ৰায়েই মিলে। উপনয়ন বা লগুণদিয়নিত আৰু বিয়াত আমাৰ দেশৰ নামহীসকলে যিবিলাক নাম গায় তাতো বৈদিক ভাষা আৰু সভ্যতাৰ আভাস পোৱা যায়। বিশেষকৈ মন কৰিবলগীয়া এই যে কেত্তল আমাৰ দেশতহে সম্বোধনত "দেৱ" শব্দৰ ব্যৱহাৰ আছে। যেনে, পিতাদেৱ, আইদেৱ, খুড়ীদেৱ, পেছাদেৱ, ককাইদেৱ, বৌদেৱ, বাইদেৱ, ভিনিহীদেৱ ইত্যাদি।

কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰ মতে—

"পৃথিব্যাং ভাৰতেবর্ষে কামৰূপং সুৰালয়ম্।
তত্ৰ যে মানবাঃ সন্তি তে দেৱাঃ নাত্ৰ সংশয়ঃ॥"

বৈদিক যুগৰ পৰা এতিয়ালৈকে অনেক হেজাৰ বছৰ অতীত হৈ গৈছে। ইয়াৰ ভিতৰত এই দেশলৈ নানা ঠাইৰ পৰা নানা জাতিৰ মানুহৰ সমাগম হৈছে; নৈসৰ্গিক কাৰণত আৰু ৰাজনৈতিক ঘাত-প্ৰতিঘাতত আৰু ধৰ্ম্ম-বিপ্লৱত ইয়াৰ পৰা অনেক লোক আন ঠাইলৈ উঠি গল; অনেক লোক আন ঠাইৰ পৰা ইয়ালৈ আহিল। আৰ্য্য আৰু অনাৰ্য্যৰ সংমিশ্ৰণত অনেক জাতি আৰু উপজাতি মিলি বৰ্ত্তমান অসমীয়া জাতি Nation গঠিত হৈছে। এতিয়াও বিদেশীৰ সৌত প্ৰবলভাবে এই দেশৰ ফালে বৈ লাগিছে। অসমীয়া ভাষা আৰু সাহিত্যৰ ভিতৰেদি, পাৰিলে ধৰ্ম্মৰ বান্ধেদি বাঢ়ি, বিদেশীক আমাৰ ভিতৰত সুমাই লৈ অসমীয়া জাতিক সবল সুঠাম কৰিব লাগিব। উত্তৰ বঙ্গৰ বাৰেন্দ্ৰ ব্ৰাহ্মণ আৰু কায়স্থ সকলৰ পূৰ্ব্বপুৰুষ বিলাক অতীজত প্ৰাগজ্যোতিষত আছিল বুলি বিশ্বাস হয়। আমাৰ দেশৰ High Lander বা পৰ্ব্বতীয়া লোক সকল আৰু Low lander বা ভৈয়ামৰ লোকসকল, হিন্দু, মুছলমান, বৌদ্ধ, খ্ৰীষ্টিয়ান, জৈন, শিখ, জড়োপাসক, সকলোবোৰ আমাৰ বুকুৰ বান্ধৰ অসমীয়া। পুৰণি কালত কামৰূপীয়া বুলিলে ভাটী আৰু উজনিবে সৈতে সমগ্ৰ কামৰূপ ৰাজ্যৰ মানুহক বুজাইছিল, অসমীয়া বুলিলেও এতিয়া সেই দৰে স্বৰ্গকোৱঁৰ পৰা পৰশুকুণ্ডলৈকে এই গোটেই ভূখণ্ডৰ মানুহক বুজায়। এই ভূখণ্ডই এতিয়াৰ অসম দেশ।

—আগনৈ

মহিলা জগত



বঙ্গৰ এটি মহিলা সকলৰ চাইকেল প্ৰতিযোগিতাত জয়লাভ কৰা প্ৰথম চাৰি গৰাকী মহিলা



কলিকতাত হোৱা মহিলাৰ এটি টেনিচ প্ৰতিযোগিতা—ছিদলীৰ যুৱৰাণী আদি (সোঁফালৰ পৰা শেষৰ গৰাকী) চাৰি গৰাকী প্ৰতিযোগিতাত যোগদান কৰা মহিলা।

৫২৭৪/অ:

সমালোচনা

সমস্বত্ববাদ—শ্রীযুত দেৱেন্দ্রনাথ শর্ম্মা বি-এ প্রণীত। মেচ ।৹ আঠ অনা।

শ্রীযুত শর্ম্মা ডাঙ্গৰীয়া "অসম হৰিজন সেৱক সঙ্ঘৰ" চেক্রেটৰী। তেখেতৰ কিতাপ হিচাপে এই খনেই প্রথম হলেও লিখক হিচাপে শর্ম্মা ডাঙ্গৰীয়াৰ যথেষ্ট সুখ্যাতি আছে। তেখেতৰ এই কিতাপ খনিৰ আকাৰ বেছি ডাঙৰ নহলেও অংগ কথাতে আধুনিক জগতত চলতি থকা নানাবকম সমাজ তত্ত্ব সম্যক আলোচনা কৰিবলৈ তেখেতে সৰ্ব্বসাধাৰণে বুজা সৰল ভাষাতে চেষ্টা কৰিছে। যদিও শর্ম্মা দেৱে দেখুৱাবলৈ চেষ্টা কৰিছে যে আধুনিক প্রচলিত সমস্বত্ববাদ বা কমিউনিজ্‌ম্ বা এই ভাবধাৰা ভাৰতৰ পক্ষে নতুন নহয় কাৰণ ঋগ্বেদ আদিতো ইয়াৰ উল্লেখ আছে, তথাপি ঘাইকৈ তেখেতে পাশ্চাত্য পণ্ডিত কার্ল মার্কচ, লছেন, প্রধোন, লেনিন, বাকুনিক, মাছোলিনি আদিৰ মতৰ বিশেষ ভাবে আলোচনা কৰিছে আৰু ভাৰতৰ বর্ত্তমান বহুৱা আৰু খেতিয়কৰ দুঃখ কাতৰ ছবি তেখেতৰ ব্যথিত অন্তৰৰ সহানুভূতিৰ দ্বাৰা দুখুনিয়াহত অস্পষ্ট নহৈ বিশেষ ভাবে স্পষ্ট হৈ উঠিছে।

এই কিতাপ খনিৰ দ্বাৰা তেখেতে অসমীয়া সাহিত্যত এটি নতুন প্রেৰণা দিছে। এই ধৰণৰ কিতাপ অসমীয়া ভাষাত এই খনেই প্রথম আৰু বিষয়ৰ জটিলতাৰে চাই লিখক আমাৰ প্রশংসাৰ পাত্র। কমিউনিজম বা বলছেভিজমৰ ভিতৰত যে অমানুষিক অত্যাচাৰৰ বা শ্রেণী বিশেষলৈ বিশেষ ঈর্ষাৰ ভাৰ নাই কেৱল মানৱ প্রীতিৰ অংশৰ নিদর্শন মাত্র, লিখকে তাকে দেখুৱাবলৈ বিশেষ ভাবে যত্ন কৰিছে আৰু বহুত খিনি কৃতকার্য্যও হৈছে। শেষৰ আধ্যাত ভাৰতৰ বর্ত্তমান অৱস্থা, ভাৰতৰ কৃষক আৰু বহুৱাৰ দুৰৱস্থা, কংগ্রেছ আদি অনুষ্ঠানৰ এই বিষয়ে মতামত আৰু কর্ত্তব্যাকর্ত্তব্য বিশেষ ভাবে নিৰাকৰণ কৰিবলৈ তেখেতে যত্ন কৰিছে। ভাৰতৰ অতীজৰ আৰু বর্ত্তমানৰ পশ্চিমৰ এই ভাবাৱলী পঢ়ি সকলোৱে যে উপকৃত অনুভৱ কৰিব তাত আমাৰ অকণো সন্দেহ নাই।

কিতাপৰ আকাৰ আৰু বিষয়-বস্তুৰ ওকৰ আৰু লিখকৰ শ্রমলৈ চাই, কিতাপ খনিৰ বেচ নিচেই কম হৈছে বুলি কলেও বঢ়াই কোৱা নহয়। অসমীয়া লিখক সকলে শর্ম্মাদেৱৰ এই চানেকী লৈ চালেও বোধহয় অসমীয়া পাঠকৰ সংখ্যা বঢ়োৱাত সহায় কৰা হব। শর্ম্মাদেৱে পৰা ভবিষ্যতে এনে ধৰণৰ কিতাপ আৰু পাবলৈ অসমীয়া সাহিত্যই ইচ্ছা কৰে।

১৪, জগন্নাথ দত্ত লেন, কলিকাতা, লক্ষ্মীবিলাস প্রেচ লিঃত ডাঃ শ্রীদীন নাথ শর্ম্মাৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

৫২৭৫/অ:
১১.৮.৯৯

আৱাহন—



ৰবাগী

শিল্পী—শ্রীহেমচন্দ্র বৰুৱা

লক্ষ্মীবিলাস প্রেস লিঃ, কলিকাতা

৫২৭৫/অ:

আলোচনী



৬ষ্ঠ বছৰ, ৩য় সংখ্যা] পুহ [১৮৫৬ শক

আপেক্ষা

কবিতা—

—শ্রীযুত শৈলধৰ ৰাজখোৱা বি-এ

জীৱনত তুমি আহিবা এদিন
চিৰবাঞ্ছিত মোৰ,
ঢালিবা কাণত অমিয়া ধাৰা
মধুনা গীতৰ সুৰ।
ছটি চৰণৰ মৃদু পৰশত,
মোৰ যৌৱনৰ কুসুম বনত,
ফুলিব এদিন সেউতী মালতী,
প্ৰাণটি কৰিব জুৰ।

প্ৰিয়তম মোৰ আহিবা এদিন
কোনোবা স্বৰ্গৰ পৰা ;
ধূলি বালি জাৰি তুলিবা সাদৰি
ৰৱণী বুকুৰ পৰা।
পাহৰি পেলাম গত জীৱনৰ
শত অৱহেলা, শত অনাদৰ ;
তুমি খুলি দিবা স্বৰ্গৰ দুৱাৰ
অমিয়া মাধুৰী ভৰা।

হে দেৱতা ! মোৰ হিয়াৰ মাজত
ৰাখিছোঁ আসন পতা ;
ৰাখিছোঁ যতনে প্ৰণয় কুসুম
আশাৰ সুতাৰে গঁথা।
থৰে থৰে আছে পুজাৰ যতন,
সনা আছে তাত কতনো বহণ ;
কোনেও নাজানে প্ৰাণৰ প্ৰাণত
সাচিছোঁ কতনো কথা।

মোৰ সপোনৰ নতুন অতিথি
এদিন দিবাহি দেখা ;
আঁকিবা গালত বিজুলী লতাৰ
প্ৰথম প্ৰণয় লেখা ;
সেইদিনা মোৰ ফুলিব সপোন,
তেতিয়া খুলিব হিয়াৰ দাপোন ;
তেতিয়া শুনিব আকাশী বতাহে
মোৰ ই প্ৰাণৰ কথা।

বেদ তথ্য আরু তত্ত্ব

—শ্রীযুত কমলাকান্ত ভট্টাচার্য্য

বেদৰ আথৰ নোপোজা দিনত নাম আছিল শ্রুতি অর্থাৎ পুৰুষ পৰম্পৰা শুনি অহা কথাবিলাক। এই কথা বিলাকৰ ভিতৰৰ সেই কালৰ অলৌকিক সাধু কথাৰ দৰে অনেক যিনি পুৰাণৰ ভিতৰত সোমাই থকা দেখা যায়, এই নিমিত্তে গোটেই বেদ অপৌৰুষেয় নহয় আৰু অভ্রান্তও নহয়। এই কাৰণে বেদক দুভাগ কৰা যায় অপৌৰুষেয় আৰু পৌৰুষেয়।

অপৌৰুষেয় অভ্রান্ত বেদ কেনেকুৱা আৰু কেনেবিলাক জ্ঞান তাক বিচাৰ কৰি চাব লগা হল। বেদ মানে জ্ঞান। অপৌৰুষেয় জ্ঞান কেনে বিলাক? প্রাণীৰ আদি জ্ঞান বিচাৰ কৰিলে পোৱা যায় "আহাৰ নিদ্রা ভয় মৈথুনঞ্চ সামান্য মেতৎ পশুভির্নানাং।" আমাৰ কীর্ত্তন ভাগৱতেও কয় যে "মৎস্য রূপে অৱতাৰ ভৈলা প্রথমত, উদ্ধাৰিলা চাৰিবেদ প্রলয় জলত"। চাৰিবেদ আহাৰ, নিদ্রা, ভয় মৈথুন,—জ্ঞানৰ চাৰিবিধ শাসন বিনা আন একো নহয়। সৃষ্টিৰ আদিতে মাছ প্রাণীৰ সৃষ্টি যে বর্ত্তমান বৈজ্ঞানিক সকলেও প্রমাণ কৰে। ওপৰত কোৱা আহি স্বরূপ জ্ঞানৰ চাৰিটি শাখা অপৌৰুষেয়। এই চাৰিটি প্রাণী জগতৰ সমান জ্ঞানৰ বাহিৰে মনুষ্য জাতিৰ জন্মৰ পিছত অতি আদি জ্ঞান হৈছে—মানুহে জ্ঞান ভোগ কৰিবৰ অর্থে ব্রহ্মাণ্ডৰ সৃষ্টি বস্তু বিলাকৰ আৰু নিজৰো নাম কৰণ কৰিব ধৰিলে। আন কি অনাদি কালকো ৰাতিদিন ভাগ ভাগ কৰি বাৰ, তিথি, নক্ষত্রবে ভাগে ভাগে বেলেগ বেলেগ নাম কৰণ কৰিব ধৰিলে। এনে জ্ঞান আহাৰ নিদ্রা ভয় মৈথুনৰ দৰে গুৰিত একোৰে শিকোৱা নাই, স্বাভাবিকেই উৎপত্তি, এতেকে এই জ্ঞান অপৌৰুষেয় বেদ। মূল জ্ঞান হৈছে প্রেম, প্রেম স্বয়ম্ভু,প্রেমেই ভগৱান। ওপৰত লেখা অপৌৰুষেয় জ্ঞান যিনি ভাব ভেদে প্রেমৰেই সৃষ্টি ৰক্ষা কৰা কার্য্য। প্রেমেই জগত ব্রহ্মাণ্ড সৃষ্টি কৰিছে আৰু সর্ব্বকালৰ ৰক্ষা কৰি আছে। প্রেমৰ নানা নাম যথা দয়া, ক্ষমা, স্নেহ (মৰম) ভক্তি। বেদ বা জ্ঞান অনন্ত যথা 'জ্ঞানমনন্তম্'। জ্ঞান প্রেম বেলেগ নহয় একেই। ই অনাদি, এই কাৰণে সনাতন বা সৎ। জ্ঞান পৰাই বুদ্ধিৰ সৃষ্টি এই নিমিত্তে জ্ঞানৰ ক্রমোন্নতি আছে। আদি জ্ঞান হৈছে মানুহৰ সৃষ্টি ধন দেখি কিবা এজন সৃষ্ট কর্ত্তা আছে বুলি আৰু নিজকো আছো বুলি অর্থাৎ মই আছো আৰু জগতো আছে এই জ্ঞান অপৌৰুষেয়। মানুহৰ জ্ঞানৰ পৰা ওলোৱা আদি বুদ্ধি হৈছে জুই অলোৱা, জুই অলায় যদি মানুহে নেজানিলেহেঁতেন মানুহ চিৰকাল পশুৰ দৰেই হৈ থাকিব লাগিলহেঁতেন আৰু ই নোহোৱা হেঁতেন জ্ঞান বুদ্ধিৰো ক্রমোন্নতি কেতিয়াও নহহেঁতেন। জ্ঞানৰ ক্রমোন্নতি সধাৰ নিমিত্তে ভগৱানে মানুহৰ অনুসন্ধান কৰা বুদ্ধি ক্ষমতা দিছে। ভাবি চোৱা মাছ মুটাৰ পৰা সন্তানে ঔটো কি মৌটো কি আদি কুত্তিয়াই কুত্তিয়াই প্রশ্ন কৰি মাক বাপেকক বিৰক্ত লগায়। এনে জ্ঞান অপৌৰুষেয়। মানুহৰ অতি আদি অৱস্থাত মানুহে বিচাৰি চুবিৰ ধৰিলে সৃষ্টি কর্ত্তা গৰাকী জন কোন।

অতি আদি কালৰ মানুহে ঈশ্বৰক ঐশ শক্তি প্রকৃতিৰ গুণ বিলাক নানা ভাগত বিভক্ত কৰি ভাগ ভাগকে নানা ঈশ্বৰ পাতি প্রার্থনা কৰি ধৰিলে। কোনো বিলাকে সূর্য্য দেবতাক পূজা কৰিব ধৰিলে, কোনো বিলাকে সূর্য্যৰেই অংশ স্বরূপ ভাবি অগ্নি পূজা কৰিব ধৰিলে, কোনো বিলাকে বৰুণ দেবতা, কোনো বিলাকে বায়ু দেবতা, আৰু কোনো বিলাকে মেঘৰ ভয়ানক গাজনি শুনি তাৰ পৰা বিজুলীৰ শব্দটিক বজ্র অস্ত্র পাতিলে। এই বজ্র অস্ত্র দ্বাৰাই মেঘ বিত্রা-সুৰক ইন্দ্রে বধ কৰিবে

অর্থাৎ মেঘ আঁতৰালে। আদি মানুহে ভগৱানৰ একো একোটি গুণক সিহক প্রকৃতি বোলে, তাকেই বিশেষ ভাবে আৰাধনা কৰি পূজা কৰিছিল। দৃশ্যমান সৃষ্ট বস্তু বিলাককো ঈশ্বৰ বুলি ভাবিছিল। সূর্য্য পূজা সেইদিনৰ সকলো মানৱ জাতিয়েই দেশে দেশে কৰিছিল। চন্দ্র, তৰা আৰু আজি মঙ্গল আদি গ্রহবিলাক ঈশ্বৰ ভাবি পূজা আৰাধনা কৰিছিল। সেইবিলাক দেৱতাক পূজা কৰা বেলিকা অগ্নি দেৱতাৰ হোম যজ্ঞ কৰি পূজা কৰিছিল। আদি কালত যজ্ঞ কৰা প্রথা প্রায় অনেক জাতিৰ ভিতৰত থকা পোৱা যায়। বাইবেলৰ পুৰণি খণ্ডত অসুৰ জাতিয়েও আর্য্য জাতিৰ দৰে অগ্নি পূজা কৰা যজ্ঞত গো মহিষ আদি জন্তু বলি দিহে মঙহ খাইছিল আৰু যজ্ঞ কৰি ঈশ্বৰৰ আশীর্ব্বাদ গ্রহণ কৰি পুত্রাদি সন্তান জন্ম কৰাইছিল। যজ্ঞত জন্তু বলি দিয়া আর্য্য জাতিৰ যেনে ৰীতি আছিল বাইবেল পুৰণি খণ্ডতো পোৱা যায় অসুৰ জাতিয়েও তেনে কৰিছিল। অসুৰ আইজেকে হোম কৰিছিল। ইত্যাদি হোম কৰি অগ্নি পূজা কৰা প্রথা আদি যুগত অসুৰ আৰু (দেৱতা) আর্য্য জাতিৰ ভিতৰত চলতি আছিল। মহাভাৰত ৰামায়ণত পাণ্ডু যে দশৰথ ৰজাৰ লৰা নোহোৱা হেতুকে ঋষিৰ উপদেশ মতে যজ্ঞ কৰি ৰাম, লক্ষ্মণ, ভৰত, শত্রুঘ্ন চাৰিটি ৰূপা তিনিজনা মহিষীৰ গর্ভপৰা জন্ম হোৱা পালে। দ্রুপদ ৰজাই যজ্ঞ কৰি দৃষ্টদ্যুম্ন আৰু দ্রৌপদীক পালে। এই দুটি সন্তানৰ মাকৰ নাম নাই, যজ্ঞ হোমপৰা অকস্মাৎ জন্ম পোৱা পুৰাণৰ অনৈসর্গিক অসম্ভৱ কথা। এনে কথাক ইংৰাজী ভাষাত লিজেন্দ (Legend) বোলে। এনে লিজেন্দ অলৌকিক আৰু অনৈসর্গিক আখ্যানেৰে ভৰা অনেক কথা পাশ্চাত্য পুৰাণ বিলাকতো আছে, আমাৰ পুৰাণ বিলাকত যে অন্তর্নোহোৱাকৈ আছে। পুৰণি বাইবেলত পোৱা যায় যীশুখৃষ্টক দীক্ষা দিয়া জন-দি-বেপ্তিষ্টক জেকাৰছে বৃদ্ধ বয়সত বৃদ্ধা যৌগেজেকৰ গর্ভৰ পৰা হোম যজ্ঞ কৰি জন্ম দিয়ালে। এনেবিলাক অলৌকিক কথা আজিকো পর্য্যন্ত আমি মনাৰ দৰে পুৰাণৰ কথা খুষ্টান বিলাকেও সঁচা বুলি মানে। পাশ্চাত্য পুৰাণত পোৱা যায় ৰোমনগৰ পোনতে সংস্থাপন কৰা ৰমিউলাছ আৰু ৰিমা এই দুটি সন্তানৰ বাপেক মঙ্গল গ্রহ, গ্রীকৰ একিলিজ আমাৰ গঙ্গা পুত্র ভীষ্মৰ দৰে সমুদ্র পুত্র। আমাৰ পঞ্চপাণ্ডৱ কুন্তিৰ গর্ভৰ পৰা জন্ম হোৱা পাণ্ডু ৰজাৰ বীর্য্যে পুত্র নহয়, জহৰা সন্তান, যেনে যুধিষ্ঠিৰ যম ৰজাৰ বীর্য্যৰ, ভীম বায়ুৰ বীর্য্যৰ, অর্জ্জুন ইন্দ্র ৰজাৰ বীর্য্যৰ, নকুল সহদেৱ এই দুই পুত্র অশ্বিনী কুমাৰৰ বীর্য্য পুত্র। অশ্বিনী কুমাৰ দুজন কোন নেজানো, কেৱল বেদত অশ্বিদ্বয়ক আৰাধনা কৰা পোৱা যায়। ইয়াৰ বাহিৰেও ভার্জ্জিন মেৰিৰ অনুঢ়া বা অকুমাৰী বয়সত ঈশ্বৰৰ বীর্য্যৰ পৰা যীশু খৃষ্টৰ জন্ম যেনেকৈ বাইবেলে স্বীকাৰ কৰে। হিন্দু জাতিৰ পুৰাণে কুন্তিৰ অনূঢ়া বা অকুমাৰী বয়সত চন্দ্রৰ পৰা মহা বলৱন্ত কর্ণ জন্মপোৱা প্রমাণ কৰে এনেবিলাকৰ যুক্তি শাস্ত্র (Logic) জ্ঞান দর্শনৰ বিৰোধী কথা বর্ত্তমান বৈজ্ঞানিক যুগে বিশ্বাস নকৰি উৰাই দিয়ে। এতেকে আদি বৈদিক যুগৰ ঈশ্বৰ উপাসনাবে সৈতে আখ্যান বিলাক অভ্রান্ত অপৌৰুষেয় আৰু কোনবিলাক ভ্রান্ত কোন বিলাক কাল্পনিক পৌৰুষেয় তাক লাহে লাহে চোৱা যাওক।

এই বিনিতে অতি পূর্ব্ব যুগত অর্থাৎ মানুহৰ আদিম অৱস্থাত মানুহে যে জীৱ জন্তুৰ বংশৰ বুলি বিশ্বাস কৰিছিল আৰু জীৱ জন্তু বিলাকক অসুৰ ভাবি পূজা কৰিছিল তাৰ প্রমাণ নেদেখোৱাকৈ থাকিব নোৱাৰিলোঁ। বর্ত্তমান যুগ পর্য্যন্ত অসভ্য মানুহৰ ভিতৰত সকলোকে Totamist আৰু animist দেখা পালেও কিন্তু অনেক সভ্য জাতিৰ ভিতৰতো ইয়াৰ চিন লোপ হোৱা নাই। আদি ব্রিটনত মানুহবিলাক ক্রম উপাসক আছিল যে তাক বুৱঞ্জীয়েই প্রমাণ কৰে। প্রাচীন কালত মিচৰ (Egypt) দেশৰ মানুহে ঘৰিয়াল পূজা, মেকুৰি পূজা, সাপপূজা, নদীপূজা ইত্যাদি কৰিছিল। মেচপতমীয়া আদিৰ অসুৰ জাতি মানুহে পাৰিললা কল্পিত ষাড় গৰুকণে ঈশ্বৰক পূজা কৰা পোৱা যায়। এই দৰে বৰলিয়াই চন্দিয়াই চালে মানৱ জাতিৰ অসভ্য অৱস্থাৰ দর্শ্বৰ চিনডাপ বর্ত্তমান আমি

হিন্দুজাতিৰ ভিতৰত জল জল পট পট কৈ অনেক ওলাই থকা পাওঁ। আজিকো পৰ্য্যন্ত হিন্দু জাতি দ্ৰুম উপাসক গুচা নাই। আহত গছ, বট গছ, তুলসী গছ পূজা কৰে। নদী পূজা তীৰ্থ বুলি কৰেতো কৰেই তাৰ বাহিৰেও নৈক গোঁসানী পাতি ছাগলি বলি দিও পূজা কৰে। আমাৰ অসমৰ ভৈৰবী নদী, ডিক্ৰংনদীক গোঁসানী পাতি বলিদান কৰি পূজা কৰে। ব্ৰহ্ম পুত্ৰ আৰু গঙ্গা পূজাৰতো কথাই নাই। সাপ পূজা খাছিয়াইও কৰে তাত বোলে শুনা যায় মানুহৰ তেজ দিয়ে। হিন্দু সকলেও সাপ পূজা বৰ সমাৰোহে কৰে। বিশ্বহৰি, মাৰৈ বা মনসা পূজা যিটি সেইটি সাপ পূজা নহয় নে? হনুমন্তক মহাবীৰ নাম দি পূজা কৰাক বান্দৰ ঈশ্বৰ (Monkey god) পূজা কৰা নহয় নে? পুৰাণৰ কাল্পনিক আখ্যান (Fable) বিলাকত ঐশ শক্তি প্ৰকৃতিক নাৰী ৰূপিণী আৰু পুৰুষ ৰূপ গঢ়ি পূজা কৰা দেৱ দেৱী বিলাকৰ নানা জীৱজন্তুৰ বাহন বিলাক দেৱ দেৱীৰ সৈতে পূজা কৰাক জন্তু পূজা কৰা নুবুজায় নে? দোৰ্দ্দান্দ বনৰীয়া গোনা মহ এটিক সিংহে বধ কৰিলে, তাকে দেখি কাল্পনিক আখ্যান পুৰাণ এখন সৃষ্টি হৈ প্ৰকৃতিক দহ হাতৰ দেৱী এজনাৰ প্ৰতিমা গঢ়ি সিংহ বাহিনী দুৰ্গা পূজাৰ উৎপত্তি যে ভুল নাই। মই সৰু কালত আমাৰ ঘৰত দেউতাই দুৰ্গা পূজা কৰা দেখা মনত পৰে, তেতিয়া মহিষাসুৰটিক মহটিৰ টেটু কাটি ভিতৰৰ পৰা আধা অসুৰটি উলিৱা দেখা পাইছিলোঁ, কিন্তু এতিয়া অসুৰৰ সেই মূৰ্ত্তি নাই। এতিয়া সম্পূৰ্ণ অসুৰটি সাজি দেৱীৰ তলত মহৰ মূৰটি গঢ়ি পেলাই থোৱা দেখি অতি আদিম কালৰ বান্দৰ অৱস্থাত থকা মানুহে জন্তুৰ ভয়ত প্ৰাণ ৰক্ষা কৰিবলৈ পৰ্ব্বতৰ গহ্বৰত আৰু গছৰ ওপৰত বাস কৰিছিল যে তাৰ প্ৰমাণ প্ৰকৃতিয়ে বা স্বভাৱে দেখোৱা ডফলা পৰ্ব্বতৰ ফালে বাস কৰা আজিকো পৰ্য্যন্ত চুলুং আবৰতেই দেখা যায়, চুলং আবৰে ঘৰ সাজি জন্তুৰ ভয়ত নেথাকে গছৰ ওপৰত চাং সাজি তাতে চালি কৰি বাস কৰে সিহঁতে খেতি বাতি একো নকৰে ধেনু পাতি পহুমাৰি খায় আৰু মৰং পিঠা খাই জীয়াই থাকে। মৰং এবিধ ঢেকীয়াৰ দৰে শাক, এই শাক যি পৰ্ব্বতত ভৰি থাকে তাতে চুলুং আবৰে বাস কৰে। মৰং বনখিনি তুলি আনি চুলুং আবৰে খুন্দি মাটি চৰুত পানী দি তিয়াই ৰাখে। চুলং আবৰে মাটিৰে বাচন গঢ়িব জানে। পিছে সেই চৰুটিত কিছুমান পৰৰ পিছত যেতিয়া তলত আবিৰ পৰে সেই আবিৰ খিনি উলিয়াই তাৰে পিঠা কৰি খাই প্ৰাণধাৰণ কৰে! মানৱ জাতিৰ আদিম অৱস্থাৰ চিন এয়েই জল জল কৈ ওলাই থকা প্ৰমাণ কৰে। এনে বিলাক পৃথিবীৰ অসভ্য মানুহ মানৱ জাতিৰ কঠিয়া বা সঁচ, জ্ঞানৰ ক্ৰমোন্নতিয়ে এই বিলাককো আগলৈ সভ্য মানুহ কৰি তুলিব। ভগৱান পক্ষপাতি নহয়, তেওঁ পতা যি ক্ৰমোন্নতি (Theory of evolution) বিধান আছে তাৰ লৰচৰ নাই।. বিবৰ্ত্তন ক্ৰিয়াৰ ৰহস্য হৈছে পৰিণাম। এই পৰিণাম অৱস্থা উলটি পাই আগৰ কত সভ্য ভব্য জ্ঞানী জাতি বৰ্ত্তমান ঘোৰ অসভ্য হৈ পৰিছে তাক অনেক অসভ্য অজ্ঞান জাতিৰ সভ্যতাৰ চিনবিলাকেই প্ৰমাণ কৰে।

প্ৰকৃতিয়ে সৃষ্টিক একেদৰে ৰাখিলে সৃষ্টিৰ জ্ঞান ৰাজ্য বিকাশ নহয় গতিকে সালসলনি কৰি নতুন জ্ঞানৰ ভাওনা পাতে। এই সংসাৰ খন ভাওনা ঘৰ মাথো, ভাওনাৰ অন্ত নাই আৰু একো একো জাতিয়ে একো একো সময় ভাৱৰীয়া হৈ দপ্‌দপাই উঠি একো একো সময় ভাওনা ভাঙ্গি অন্তৰধান হোৱাৰো অন্ত নাই। মানৱ জাতিৰ আদিম অৱস্থাকেই কেছুৱা অৱস্থা বোলা হয়। কেছুৱা অৱস্থাত মানুহে নিজক জীৱ জন্তু বংশী ভবা আচৰিত কথা নহয়। আৰু ভয়ানক জন্তুবিলাকৰ ভয়ত আদিম মানুহবিলাক পৰ্ব্বতৰ গহ্বৰত আৰু গাঁতত সোমাই প্ৰাণ ৰক্ষা কৰা কথা আগতে দেখাই আহিছোঁ প্ৰাচীন শ্ৰুতি পুৰাণ আদি বিলাকে প্ৰমাণ কৰা কথা এতিয়া দেখায়'ক।

মানুহৰ যেতিয়া একো অস্ত্ৰ শস্ত্ৰ জন্তু বধ কৰাৰ নিমিত্তে নাছিল, ভগৱানে মানৱ জাতিক ভয়ানক জন্তু বিলাকৰ পৰা ৰক্ষা কৰা অৰ্থে জন্তুৰ লগত জন্তুৰ যুদ্ধ লগাই ঐশ শক্তি প্ৰকৃতিয়ে মানৱ জাতিক ৰক্ষা কৰিছিল যে তাৰ প্ৰমাণ পুৰাণেও দেখায়। পুৰাণে সেইবিলাক জন্তুকেই

দৈত্য দানৱ আদি মানুহ পাতিছিল। পুৰাণে এই জন্তু বিলাকক জন্তুৱে জন্তুৱে যুজ কৰি বধ কৰা নেদেখাই বিষ্ণুৱে বধ কৰা দেখায়। এইবিলাক কথা পুৰাণ কৰ্ত্তা সকলৰ কাল্পনিক। সায়ম্ভূ মন্বন্তৰত বাস্কলি নামে এটি দৈত্য ওলাইছিল তাক বিষ্ণুৱে সুদৰ্শন চক্ৰ দ্বাৰা বধ কৰিলে। স্মৰোচিৰ মন্বন্তৰত পুৰুকৃষ নামে এটি দৈত্য বাহিৰ হৈছিল তাক হস্তিৰূপ বিষ্ণুৱে বধ কৰে। ঔওমি মন্বন্তৰত প্ৰলম্ব নামে এক দৈত্য ইন্দ্ৰৰ শত্ৰু হৈছিল। বিষ্ণুৱে মৎস্য অৰ্থাৎ মাছ ৰূপ ধৰি তাক বধ কৰে। তামস মন্বন্তৰন্ত ভীম নামে এটি অসুৰ ওলাইছিল তাক বিষ্ণুৱে কুৰ্ম্ম-কাছ ৰূপ ধৰি সংহাৰ কৰে। ৰৈবত মন্বন্তৰত শান্ত নামে এটা দৈত্য ইন্দ্ৰৰ ৰাজত্ব কাঢ়ি লব খুজিছিল তাক হংসৰূপী বিষ্ণুৱে বধ কৰে। চাক্ষুষ মন্বন্তৰত মহাশাল নামে এক দৈত্য দেৱতা বিলাকৰ শত্ৰু ওলাইছিল তাক অশ্বৰূপী বিষ্ণুৱে বধ কৰে। বৈবাস্বত মন্বন্তৰত হিৰণ্যাক্ষ দৈত্য জন্মিছিল তাক বৰাহৰূপী বিষ্ণুৱে বধ কৰে। সাবৰ্নি মন্বন্তৰত সুতপা মহিষাসুৰ প্ৰভৃতি অসুৰ জন্মিছিল তাক বিষ্ণুৱে সংহাৰ কৰে। সাবৰ্ণি মন্বন্তৰত মহিষাসুৰৰ উৎপত্তি সম্বন্ধে চণ্ডী পুৰাণত আছে। দক্ষ সাবৰ্নি মন্বন্তৰত কাল কাক্ষ নামে প্ৰবল পৰাক্ৰমী দৈত্যক বিষ্ণুৱে সংহাৰ কৰে! দশম মন্বন্তৰত বলি নামে দৈত্য এজনে ইন্দ্ৰৰ শত্ৰুতাচৰণ কৰিছিল তাক বিষ্ণুৱে বধ কৰে। একাদশ মন্বন্তৰত দশগ্ৰীৱ নামে এটি ৰাক্ষস হৈছিল, বিষ্ণুৰ হাতত তাৰ মৃত্যু ঘটে। দ্বাদশ মন্বন্তৰত তাক নামে দৈত্য এটিক নপুংসক বিষ্ণুৱে বধ কৰে। ত্ৰয়োদশ মন্বন্তৰত টিট্টভ নামে দৈত্য এটি বিষ্ণুৱে মাৰে। চতুৰ্দ্দশ মন্বন্তৰত মহাদৈত্য নামে এটি দৈত্য ওলাইছিল, তাকো বিষ্ণুৱে বধ কৰে।

পুৰাণৰ এনেবিলাক সঁচাকৈয়ে জীৱ জন্তুৱে আপোনা আপুনি যুঁজ কৰি মৰি পৃথিবীৰ মাটিৰ অংশ সেইবিলাকৰ হাড় মঙহৰে বৃদ্ধি কৰিছিল যে তাৰ বিষয় সমালোচনা কৰি দেখাবলৈ আৰম্ভ কৰোঁ। ইংৰাজী কিতাপতো পঢ়ি পাইছোঁ যে পাশ্চাত্য পণ্ডিত সকলেও স্বীকাৰ কৰে যে আদিম অৱস্থাৰ মানুহে ভয়ানক জন্তু বিলাককেই দৈত্য দানৱ পাতিছিল। স্কন্ধ পুৰাণেও প্ৰমাণ কৰে যে পৃথিবীৰ হোপনি শক্তি কম থকা আদি অৱস্থাত বৰ বৃহৎ আকাৰৰ জীৱবিলাক সৃষ্টি হৈছিল "এক কায়ো মহাকায়ো অতিকায় এবচ। এক নেত্ৰং মহানেত্ৰং বহু নেত্ৰঞ্চ সৰ্ব্বচঃ, এক মূৰ্দ্ধভি ৰৈস্তু স্ত্ৰৈ মহা মূৰ্দ্ধভিৰে এবচ' ইত্যাদি।

পুৰাণৰ কথাবিলাক সাধু কথা—মিছা গল্পৰ দৰে উপকথা পূৰ্ণ যে তাক তথ্য আৰু তত্ত্ব বিচাৰ কাৰী সুধী সকলেহে বুজিব পাৰে। প্ৰতি অসুৰটিক এক এক কল্পত ওলোৱা, বিষ্ণুৱে নানা জন্তুৰূপ ধৰি বধ কৰা দেখায়। আনকি বিষ্ণুৱে, হংসৰূপে, কাছৰূপ ধৰিও পুৰাণৰ কল্পনাপূৰ্ণ অসুৰ-জন্তুবিলাক বধ কৰা পুৰাণত পোৱা যায়। এই বিলাক সম্পূৰ্ণ মিছা কথা হেন লাগে। ইন্দ্ৰৰ ৰাজত্ব একো একোটি অসুৰে কাঢ়ি লব খোজা ভয়ত বিষ্ণুৱে জন্তুৰূপী অসুৰ বিলাকক বধ কৰি ইন্দ্ৰৰ ৰাজত্ব ৰক্ষা কৰিছিল বুলি পুৰাণে কয়। এতিয়া ভাবি চাব লগা হৈছে ইন্দ্ৰ কোন আৰু ইন্দ্ৰৰ ৰাজত্ব কত আছিল? যি জন প্ৰাণীৰ দেহ যন্ত্ৰটিৰ ইন্দ্ৰিয় বিলাকৰ স্থাপক আৰু চালক সেই পৰমেশ্বৰৰ নাম ইন্দ্ৰ। সকলো জীৱৰ জীৱন মূল প্ৰাণ গতিকে পৰমেশ্বৰৰ নাম ইন্দ্ৰ। এই বিলাক কথা অনেক বেদ উপনিষদে প্ৰমাণকৰা আপ্ত বাক্য, অতি অতীত কালত স্বৰ্গ বা আকাশত থকা ধাৰণা মহা ভুল। অতি প্ৰাচীন কালত মানুহে মেঘ গৰ্জ্জন বিদ্যুৎ পাতলৈ বৰ ভয় কৰি ইন্দ্ৰক—পৰমেশ্বৰ বুলি স্তুতি কৰিছিল। ইন্দ্ৰক বৃত্ৰ অৰ্থাৎ বৃত্ৰাসুৰ বধ কাৰী বুলি প্ৰাৰ্থনা কৰিছিল। মেঘৰ ঘোৰ গৰ্জ্জনকেই বৃত্ৰাসুৰ পাতি তাক আদি মানুহে গল্প কৰিছিল, সেয়ে পিছে পুৰাণৰ অতিৰঞ্জীত গল্প হৈ পৰিল। এই বিলাক কথা লিখিবলৈ গলে এই এখন মহাভাৰত হৈ পৰে। পুৰাণে নো আচল কথাক ৰূপক ভাবে কি নকৰিলে? হিৰণ্যাক্ষ এটি সোণ চকুৱা কুম্ভীৰ, সি সাগৰৰ কিনাৰত বৰাহে মাটি খুচৰি থকাত তাক ধৰিলে, সেই কালত কুম্ভীৰটি যেনে অতিকায় বলবান জন্তু আছিল বৰাটিও আজি কালিৰ দতাল হাতীতকৈ চাৰি গুণ ডাঙৰ আছিল কিন্তু তাৰ দাঁত থকা গতিকে সি দাঁতেৰে চিৰি গ্ৰাহটিক

বধ কৰিলে, এই কথাকে ধৰি পুৰাণে কয় বৰাহৰূপী বিষ্ণুৱে তাক বধ কৰিলে। হিৰণ্যকশিপু এটি গলধন ডাঙ্গৰ গোনা মহ তাক সিংহে বধ কৰিলে, এই কথাকে চণ্ডী পুৰাণেও মহিসাসুৰ বধ প্ৰমাণ কৰে। ঋষি যুগৰ বেদ উপনিষদ শিক্ষা নকৰি পাহৰি আমি ভাৰতৰ হিন্দু জাতি মিছা গল্পৰ পুৰাণ বিলাক ধৰ্ম্ম শাস্ত্ৰ পাতি লোৱাৰ কাৰণে ধৰ্ম্ম শিক্ষক বোলোৱা গুৰুপুৰোহিত সকলে অলেখ অজ্ঞান জন পদক ভাগ ভাগ কৈ একো একোটি ধৰ্ম্ম সম্প্ৰদায় গঢ়ি আৰু শৈব, গাণপত্য, তন্ত্ৰ আদি পুৰাণ বিলাক লেখি এজনা ঈশ্বৰক নানা জনা ঈশ্বৰত ভাগ ভাগ কৰি জাতিভেদ গঢ়ি, জাত-কুল যোৱা পৰাচিতৰ বিধি সৃষ্টি কৰি ভাৰতবৰ্ষক চিৰকাল বিদেশী জাতিৰ অধীন কৰিলে, ই আমাৰ নিজ কৰ্ম্মফল।

—ক্ৰমশঃ

ভক্তিমাৰ্গ

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

৩

গোপীসকলে শ্ৰীকৃষ্ণক প্ৰিয়তকৈ ও প্ৰিয় বুলি জানিছিল আৰু কৃষ্ণৰ বিৰহত দাৰুণ ব্যথাত ব্যথিত হৈছিল। সেই বুলি শ্ৰীকৃষ্ণ যে পৰমাত্মা পৰমেশ্বৰ এই জ্ঞান তেওঁলোকে একেবাৰেই পাহৰি যোৱা নাছিল। সেই দেখি নাৰদকৃত ভক্তি-সূত্ৰত আছে :—

"ওঁ ন তত্ৰাপি মাহাত্ম্যজ্ঞান-বিস্মৃত্যপবাদঃ।

অৰ্থাৎ এনে অৱস্থাতো গোপীসকলৰ মাহাত্ম্যজ্ঞান বিস্মৃতিৰ অভাৱ নাছিল।

সেই দেখি শ্ৰীমদ্ভাগৱতৰ দশমস্কন্ধৰ ২৯ অধ্যায়ৰ ২৮ শ্লোকত গোপীসকলে কৈছিল :—

মৈবং বিভোঽৰ্হতি ভবান্ গদিতুংনৃশংসং সন্ত্যজ্য
সৰ্ব্ববিষয়াংস্তব পাদমূলম্।
ভক্তা ভজস্ব দুৰবগ্ৰহ মা ত্যজাস্মান্ দেবো
যথাদিপুৰুষো ভজতে মুমুক্ষুণ॥

"ভকতবৎসল তোমাক জানি।
কেনে বোলা হেন ঘাতুক বাণী॥
সমস্ত বিষয় এৰিয়া স্বামী।
জানিলোঁ তোমাৰ চৰণে আমি॥
ভজিয়ো আমাক মিলোক ভাগ।
নকৰা নাথ ভকতক ত্যাগ॥
জগতৰে বন্ধু আতমা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
তুমি আত্মা হেন জানি সম্প্ৰতি।
তোমাতেসে কৰে ভকতে ৰতি॥ (শঙ্কৰদেৱ)

যৎ পত্যপত্যসুহৃদামনুবৃত্তিৰঙ্গ স্ত্ৰীণাং স্বধৰ্ম্ম ইতি
ধৰ্ম্মবিদা ত্বয়োক্তম।
অস্ত্বেবমেতদুপদেশপদে ত্বয়ীশে প্ৰেষ্ঠো ভবাংস্তনুভৃতাং
কিল বন্ধুৰাত্মা।

"কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম্ম।
তোমাতে আছোক সি সব ধৰ্ম্ম॥
জগতৰে বন্ধু আতমা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
নালাগে পতি পুত্ৰ দুঃহেতু।
দুয়োক প্ৰসন্ন গৰুড় কেতু॥" (শঙ্কৰদেৱ)

৩৮ শ্লোকত—

"ব্যক্তং ভবান্ ব্ৰজভয়াৰ্ত্তহৰোঽভিজাতো দেবো
যথাদিপুৰুষঃ সুৰলোক গোপ্তা।"

অৰ্থাৎ আমাৰ নিশ্চয় বোধ হৈছে, যে আদিপুৰুষ দেৱদেৱ যেনেকৈ সুৰলোকৰ ৰক্ষক হৈ জন্মগ্ৰহণ কৰিছিল, তুমিও সেইদৰে ব্ৰজবাসীসকলৰ ভয়াৰ্ত্তহাৰী হৈ জন্মগ্ৰহণ কৰিছা।

"দেৱৰ ৰক্ষক যেন মুৰাৰি।
ব্ৰজৰো তুমি দুখ ভয়হাৰী॥" (শঙ্কৰদেৱ)

৩১ অধ্যায়ৰ ৪ৰ্থ শ্লোক :—

"নখলু গোপিকানন্দনো ভবানখিলদেহিনাম—
স্তৰাত্মদৃক্"।
বিখনপাৰ্থিতো বিশ্বগুপ্তয়ে সখ উদেয়িবান্
সাত্বতাং কুলে॥"

"নুহিকা যশোদ নন্দন গোবিন্দ
নিশ্চয়ে বুলিলোঁ বাক।
তুমি সমস্তৰে বুদ্ধি সাক্ষী সখি
প্ৰাৰ্থিলা ব্ৰহ্মা তোমাক॥
জগত ৰাখিবে লাগি যদুকুলে
অপুনি ভৈলা উদিত।
শুনা মহাভাগ ভকতক ত্যাগ
কৰিবে নুহি উচিত।" (শঙ্কৰদেৱৰ)

নাৰদৰ ভক্তিসূত্ৰত সেই দেখি কৈছে—

"ওঁ তদ্বিহীনং জাৰাণামিব।"

অৰ্থাৎ মাহাত্ম্যজ্ঞানবিহীন যি প্ৰীতিৰ সঞ্চাৰ হয়, সেই প্ৰীতি জাৰ অৰ্থাৎ ব্যভিচাৰাসক্ত মানুহৰ প্ৰীতিৰ নিচিনা। কাৰণ, ব্যভিচাৰী মানুহে কামপৰবশ হৈ নিজৰ সুখ সাধনৰ নিমিত্তেই প্ৰীতি প্ৰকাশ কৰে। তেনে মানুহৰ অন্তৰলৈ সুখ ক'ৰপৰা আহিব? গোপীসকল প্ৰেমিকা আছিল; কামুকী নাছিল। তেওঁলোকে ভগৱন্ত শ্ৰীকৃষ্ণক প্ৰেম কৰিছিল, ইন্দ্ৰিয় চৰিতাৰ্থ কৰিবৰ নিমিত্তে কামপৰতন্ত্ৰ হৈ ভালপোৱা নাছিল। প্ৰেম আৰু কাম এই দুটা একে পদাৰ্থ নহয়। মোৰ দ্বাৰাই আন সুখী হওক, তাতেই মোৰ সুখ, এয়ে হল প্ৰেম। আনৰ দ্বাৰাই মই সুখী হওঁ, এয়ে হল কাম। গোপী সকলে নিজৰ নিজৰ ৰূপ, যৌৱন, মন, প্ৰাণ, সকলোবোৰকে শ্ৰীকৃষ্ণৰ বিলাসৰ বস্তু বুলি ভাবিছিল।

নন্দ যশোদাই কৃষ্ণক পুত্ৰভাৱে প্ৰেম কৰিছিল। তেওঁলোকৰ বাৎসল্যভাৱৰ প্ৰেমত মাহাত্ম্যজ্ঞানৰ বিস্মৃতি নাছিল। শিশু কৃষ্ণই মাটি নাই খোৱা বুলি মুখ মেলিলত যশোদাই তাত সমস্ত জগত দেখি কৈছিল—

নুহিকন্ত মোৰ পুত্ৰ মানুহ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ॥

এই ভাবি স্তুতি কৰিছিল :—

"যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ।
নপাৱে বচনে মনে ওচৰ॥
নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তান চৰণ॥
মই যশোদা মোৰ পুত্ৰ স্বামী।
ব্ৰজৰ সবে অধিকাৰী আমি॥
হেন অহম্মম সদায় কৰোঁ।
যাহাৰ মায়াত ওপজো মৰোঁ।
হেন জগন্নাথ হুয়োক গতি।
খণ্ডায়োক আবে মোৰ কুমতি॥

অৰ্জ্জুনে সখ্য ভাৱে কৃষ্ণক ভাল পাইছিল। কৃষ্ণৰ প্ৰতি মাহাত্ম্যজ্ঞান তেৱোঁ বিস্মৰণ হোৱা নাছিল। বিপ্ৰপুত্ৰ আনয়ন কৰি তেওঁ কৈছিল—

পৌৰুষ পুৰুষৰ কিছু নুই।
কৃষ্ণৰ প্ৰসাদে সমস্ত হুই॥
এহি বুলি বীৰে ডঢ়াইয়া মাতি
একান্তে কৰিলা হৰি ভকতি॥"

শ্ৰীকৃষ্ণৰ জ্ঞাতি কুটুম্ব আত্মীয় বন্ধু বান্ধৱ প্ৰভৃতি সকলো ভক্তৰে শ্ৰীকৃষ্ণৰ বিষয়ে মাহাত্ম্য জ্ঞান বিস্মৰণ হোৱা নাছিল। যেনে—কুন্তী, কৃষ্ণৰ মহিষীসকল, ভীষ্ম, যুধিষ্ঠিৰ, উদ্ধৱ, বিদুৰ, ইত্যাদি।

নাৰদে তেওঁৰ ভক্তি সূত্ৰত কৈছে—"ওঁ সাতু
কৰ্ম্মজ্ঞান যোগেভ্যোঽপ্যধিকতৰা।

অৰ্থাৎ ভক্তি কৰ্ম্ম, জ্ঞান আৰু
ভগৱদ্গীতাত শ্ৰীকৃষ্ণই ইয়াকে হৈদিন থাকিব নালাগিল।
"তপস্বিভ্যোঽধিকো যোগী পবিত্ৰ নামেৰে ডেকা এজনৰ
যোগিনামপি সৰ্ব্বেষাং মদ সম্পন্ন হৈ গল। পবিত্ৰ
শ্ৰদ্ধাবান্ ভজতে যো মাংসমে ক।

জ্ঞানভিমানীয়ে কয় ভক্তিৰ দ্বাৰাই জ্ঞান ৰূপ ফল লাভ হয়। নাৰদৰ মতে জ্ঞানাদি সাধনাৰ দ্বাৰাই ভক্তি ৰূপ ফল লাভ হয়। "ওঁ ফলৰূপত্বাৎ।" গীতাতো কৈছে—

"সমঃ সৰ্ব্বেষু ভূতেষু মদ্ভক্তি লভতে পৰাম্"।

সকলো সাধনৰ উদ্দেশ্যই ভগৱন্তৰ কৃপা লাভ। ভগৱন্তৰ কৃপা নহলে ভক্তিৰ উদয় নহয়। এইবাবে ভক্তিয়েই সকলো সাধনাৰ ফল স্বৰূপ। কৰ্ম্ম যোগ আৰু জ্ঞান যোগ সাধনাত সাধকৰ মনত যদি সেই সাধনাভিমান হয়, তেন্তে ভগৱন্ত সেই সাধকৰ মনৰ পৰা আঁতৰি যায়। কৃষ্ণই আমাক আনতকৈ ভাল পায়, কৃষ্ণক আমি বশ কৰিলোঁ; এনে অভিমান বৃন্দাবনৰ গোপীসকলৰ মনত উদ্ভৱ হলতে, কৃষ্ণ অন্তৰ্দ্ধান হৈছিল! শেহত যেতিয়া তেওঁলোকৰ সেই অভিমান, অহংজ্ঞান গল; আৰু কৃষ্ণত তেওঁলোকে সম্পূৰ্ণৰূপে আত্মসমৰ্পণ কৰিলে, তেওঁলোকক দেখা দিলে। গজেন্দ্ৰই জ্ঞানৰ সহায় নোহোৱাকৈয়ে ভক্তি কৰি ঈশ্বৰক পালে। ভক্তিৰ উদয় হলে, জ্ঞান তত্ত্ব জিজ্ঞাসাৰ আৱশ্যকতা নাথাকে। অকল জ্ঞানে ভক্তিৰ সহায় ব্যতিৰেকে তৰিব নোৱাৰে। কিন্তু ভক্তিয়ে কাৰো সহায় নিবিচাৰে; সি অকলৈ শকত। ধৰাঁ, তুমি তোমাৰ ৰজাৰ বিষয়ে জানিলা যে, তেওঁ বলৱন্ত দয়ালু, দেখিবলৈ শ্ৰীমন্ত, প্ৰজাৰঞ্জক, ইত্যাদি. তোমাৰ এনে জ্ঞান হোৱা বাবে ৰজাৰ কি তৃপ্তি হল? তুমি জানিলা যে ঘিউ, চেনি, চানা ইত্যাদিৰে এনে তেনেকৈ মিষ্টান্ন প্ৰস্তুত হয়। সেই জ্ঞানৰ দ্বাৰাই তোমাৰ ভোক পলালে নে? সেইদৰে অকল ভগৱন্তৰ স্বৰূপ জানিলেই জীৱৰ লক্ষ্য সিদ্ধি নহয়। এতেকে ভক্তিৰে ভগবন্তৰ সেৱাৰূপ জানিলেই জীৱৰ লক্ষ্য সিদ্ধি নহয়। এতেকে ভক্তিৰে ভগৱন্তৰ সেৱাৰূপ উপভোগহে আচল বস্তু। এই বাবেই পৰমহংস ভক্তা ভজ... ছিল,—"তুমি অমুকৰ আমৰ বাগিছালৈ যথাদিপু... আছে; সেই আমবোৰ কেনে "ভকতবৎসল তো... য় নষ্ট নকৰিবা; তাৰে কেনে বোলা হেন ঘাতু সমস্ত বিষয় এৰিয়া স্ব... জানিলোঁ তোমাৰ তোমাৰ পেট নভৰে। তুমি বিচাৰ এৰি দুইহাতেৰে আম খোৱাঁ, তৃপ্তি পাবা।" মুক্তিলাভৰ নিমিত্তে ভক্তিয়েই প্ৰকৃত পথ। আৰু কওঁ যে; অকল মুক্তিয়েই ভক্তিৰ লক্ষ্য নহয়। ঈশ্বৰৰ লাভৰ নিমিত্তে ভক্তই বাট বোলোতে বোলোতে মুক্তিয়ে বাটতে তেওঁৰ লগ ধৰি যায়। ভক্ত কিন্তু সেই বস্তুত নিস্পৃহ শ্ৰীমদ্ভাগৱতৰ তৃতীয় স্কন্ধৰ চতুৰ্থ অধ্যায়ত উদ্ধৱে বিদুৰক কৈছে—"মই শ্ৰীকৃষ্ণক কৈছিলোঁ যি সকলে তোমাৰ চৰণ কমল ভজনা কৰে তেওঁলোকৰ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ, এই চতুৰ্ব্বৰ্গৰ ভিতৰত কোনোটো য়েই দুৰ্ল্লভ নহয়; কিন্তু মই সেইবোৰ প্ৰাৰ্থনা নকৰোঁ; মই মাথোন তোমাৰ পাদপদ্ম সেৱা কৰিবলৈহে উৎসুক। ভক্তৰ উদ্দেশ্য ভক্তি মাথোন। ভক্তিতে ঈশ্বৰ ভকতৰ বশ্যহৈ ভকতৰ লগ নেৰে। নৃসিংহই প্ৰহ্লাদক বৰ দিব খুজিলত "এহি বুলি প্ৰলোভন্ত বৰে। নবাঞ্চন্ত প্ৰহ্লাদ কুমাৰে॥ ভক্তিসে পৰম লাভ জানি। বিষ্ণুক বোলন্ত হাসি বাণী॥ জানো প্ৰভু পৰীক্ষা আমাক। যিহেতু বুলিলা হেন বাক॥ বাঞ্ছেফল কৰি কৃত্য। সিটো বাণিজাৰ নোহোঁ ভৃত্য॥ (কীৰ্ত্তন।) কলিত নাম কীৰ্ত্তনেই প্ৰধান ভক্তি।

মাধৱৰ নাম বৎস প্ৰায় ভৈল
ভক্তে অঙ্ক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে যান্ত॥" (ঘোষা)

এনে হৰিভক্তি দান কৰি শ্ৰীমন্ত শঙ্কৰে আমাক তৰিবৰ উপায় কৰি দিলে। এনে শ্ৰীমন্ত শঙ্কৰৰ বাহিৰে এই কলিকালত এই দুখীয়া অসমত, অসমীয়াৰ কোন মহাবন্ধু আছে? মহাপুৰুষ শ্ৰীমাধৱদেৱে সেই দেখিয়েই ঘোষাত লিখিছে—

"হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনই কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আৰ বন্ধু॥"

———

কল্যাণী

গল্প— —শ্ৰীযুত গোবিন্দৰাম দাস বি-এ

(১)

শৰতকাল; অঘোন মাহৰ জোনাক নিশা। নিৰ্ম্মল আকাশ সুশীতল স্নিগ্ধ কিৰণেৰে দিগদিগন্ত উদ্ভাসিত কৰি মহান ব্ৰহ্মপুত্ৰৰ বিশাল বুকুত নিজৰ প্ৰতিবিম্ব চাই তৰুণী জোনবাই আত্মহাৰা। আহা, মধুযামিনী প্ৰকৃততে মধুৰ! ই নিৰ্য্যাতিত সন্তপ্ত প্ৰাণতো শান্তিবাৰি বৰ্ষণ কৰে। ই প্ৰণয়ী যুগলৰ মিলনৰ অপূৰ্ব্ব সুযোগ, নব বিবাহিতা দম্পতীৰ প্ৰেমালাপৰ অবকাশ, উপেক্ষিতা যুবতীৰ আত্মবিলাপৰ সন্ধিক্ষণ, বিৰহীৰ উত্তপ্ত অশ্ৰু বৰ্ষণৰ শুভক্ষণ শোক সন্তপ্ত আত্মঘাতী যুবকৰ তন্ময় কাল আৰু বুঢ়া বুঢ়ীৰ সঞ্চিত সাংসাৰিক চিন্তাৰ বোজা পাতলাবৰ অপূৰ্ব্ব সময়।

এনে হিয়া জুৰোৱা জোনৰ পোহৰত বহি মনুৱে ঘৈণীয়েক মালতীৰ লগত কথা-বতৰা পাতিছে। মনু পলাশবাৰীৰ ভিতৰত এজন গণ্যমান্য মানুহ। তেওঁ পলাশবাৰীৰ কলিতা জাতিৰ অগ্ৰণী। ধনী নহলেও তেওঁৰ আভিজাত্য সন্মান আছে। কথা প্ৰসঙ্গত মালতীয়ে সুধিলে,—"কল্যাণীৰ এতিয়া কন্যা কাল; তাইক সোনকালে এঠাইত গটাব পাৰিলেহে ভাল আছিল?" মালতীৰ কথাশুনি মনুৱে মাত লগালে,—"পিছে তুমি নো কাত দিলে ভাল দেখা।" "মোৰ মতে ছোৱালীয়ে যতে সুখে খাই বই থাকিব পাৰে তেনে ঠাইত দিয়াহে উচিত. আজিকালি লেখা পঢ়াৰো একো মূল্য নোহোৱা হৈছে। বিদ্যাবন্ত সকলো ধনৰ বশ। কালি কালুমহাজন আহিছিল। তেওঁ কল্যাণীক পাবলৈ বৰা হেপাহ দেখুৱাইছে। তেওঁত দিলে ছোৱালীৰো সুখ হব আৰু আমাৰো ভবিষ্যতে সুবিধা...।

মনু:—সেই নীহকুলীয়া বুঢ়াটোকহে বিচাৰি পালেনে? একে হীনজাত তাতে দুবাৰো বিয়া হৈ গলেই। বোধকৰো বয়স ৫০ ৰো ওপৰহে হব।

মালতী:—থৈ দিয়ক, পুৰুষৰ বয়স। তিৰী কুৰি হলে বুঢ়ী। নিজে ভাবি নাচায় কিয়, মোক আনোতে আপোনাৰ বয়স কিমান আছিল? এতিয়া দুয়োকো সমানবয়সীয়া যেন দেখি।

মনু:—বয়স এৰিদিয়া; মই হীন জাতীত ছোৱালী কেতিয়াও নিদিও। বিয়া দিব নোৱাৰো যদি বুঢ়া হৈ থাকিব।

মা:—আজিকালি অস্পৃশ্যতা বৰ্জ্জনৰ দিনতো আপুনি জাত জাত কৰিয়েই মৰিব। পূজ্যপাদ গৰমুৰীয়া গোসায়ে মিটিঙে মিটিঙে বক্তৃতা দি ফুৰিছে যে জাতি অজাতি বিচাৰিব নালাগে। এই জাতি ভেদেই হেনো হিন্দুৰ পৰাধীনতাৰ ঘাই কাৰণ।

মনু:—তোৰ পৰা মই নীতিজ্ঞান শিকিব লাগিলনে? তিৰোতা মানুহ ধৰ্ম্মৰ গূঢ় তত্ত্ব কি বুজিবি? গৰমুৰীয় গোসায়ে আৰু মহাত্মা গান্ধীয়ে নীচজাতিৰ লগত বিয়াবাৰু চলাব আৰু খাব দিয়া নাই মাত্ৰ চোৱা চুই কৰিবহে দিছে।

মা:—তেন্তে ধনীয়া কায়স্থ হৈনো কেনেকৈ কেওটৰ ছোৱালী বিয়া কৰালে?

মনু:—ছোৱালী শাস্ত্ৰমতে নীচৰ পৰা আনিব পাৰি দিবহে মানা। ছোৱালী দিয়াৰ ভাৰ মোৰ ওপৰত; তাত তোৰ এলাকা নাই। আজিকালি ছোৱালীৰো মতামত লবলাগে; তাতে ইংৰাজী নাজানিলেও, কল্যাণী শিক্ষিতা ছোৱালী।

মা:—আপোনাৰ ভাল মত মতেই চলক।

(২)

কন্যাদায়গ্ৰস্ত হৈ মনুৱে সৰহদিন থাকিব নালাগিল। তেওঁৰ মনোমত সেই গাৱঁৰে পবিত্ৰ নামেৰে ডেকা এজনৰ লগত কল্যাণীৰ শুভবিবাহ সম্পন্ন হৈ গল। পবিত্ৰ সৎস্বভাবী, বিনয়ী আৰু অমায়িক।

গাওঁৰ সকলোৱে তেওঁক মৰম আৰু সম্ভ্ৰম কৰে। কালু মহাজনৰো তেওঁ আগেয়ে মৰমৰ পাত্ৰ আছিল। পৱিত্ৰৰ আৰ্থিক অৱস্থা ভাল নথকাত কালুৰপৰা বিবাহ উপলক্ষে দশ টকা ধাৰ লৈছিল। ধাৰৰ ওপৰত ঢৌখেলি কোনো মতে ৰাইজক সুধিলে। কালুৱে ধাৰ দিয়া সময়ত কাৰ লগত পৱিত্ৰৰ বিবাহ হব তাক জনা নাছিল কিন্তু বিয়াৰ খাটিৰ হৈ যোৱাতহে জানিব পাৰিলে। তেওঁ বিবাহৰ নিমন্ত্ৰণকে গ্ৰহণ নকৰিলে। তেওঁৰ ইচ্ছা আছিল যে মনুক এটা শিক্ষাদিব আৰু কল্যাণীক তেওঁৰ কৰিহে এৰিব। তেওঁৰ সুখৰ সপোন ব্যৰ্থ হল। হিয়াৰ মাণিক পৱিত্ৰই কাঢ়ি নিলে। প্ৰতিদ্বন্দ্বীতাৰ ঈৰ্ষানলত তাৰ অন্তৰ জলি উঠিল! দাঁত মুখ কামুৰি চিঞৰি উঠিল, "পৱিত্ৰ। তোৰ সুখৰ সংসাৰত মই জুই জালিম! মনু—তই কল্যানীক সুখী কৰিব খুজিছ, মই তাইক চকুলোৰে বাট নেদেখা কৰিম!" পৱিত্ৰৰ বিয়াৰ আগ দিনাখন কালুৱে ৰতন গাওবুঢ়াক পৱিত্ৰৰ ওচৰলৈ পঠিয়াই দিছিল যে, সি কল্যাণীক বিয়া কৰাব নালাগে, তাৰ পৰিবৰ্ত্তে নলিনীক বিয়া কৰাওঁক। গাওঁবুঢ়াই নলিনীৰ লগত বিয়া হলে অনেক টকা-কড়ি বয়-বস্তু পোৱাৰ লোভ দেখুৱাত পৱিত্ৰই উত্তৰ দিছিল যে, তাৰ ছোৱালীৰ লগত হে বিয়া হব টকাৰ লগত নহয়। বঙালীৰ দৰে পৰৰ ধনেৰে ধনী বোলাই সি কাপুৰুষালি দেখুৱাব নোখোজে। ধনে মানুহক সুখী কৰিব নোৱাৰে; কেৱল আমোদ-সামগ্ৰীহে গোটাই দিব পাৰে।

গাওঁবুঢ়াৰ এই কথা কালুৰ আগত ফটফটীয়াকৈ দেখা দিলে। "ধাৰত পোতখাই থকা ডেকা এটাৰ অহঙ্কাৰ! বাৰু ময়ো ছেগচাই হে পোতক তুলিম।" এইদৰে গুণি গাঠি কালু কল্যাণীৰ ভাৱত তন্ময় হল।

(৩)

ইতিমধ্যে কল্যাণীৰ বাপেক ঢুকাল. বাপেকৰ মৃত্যুত কল্যাণী বৰ অধৈৰ্য্য হৈ পৰিছিল। বাপেকৰ মৃত্যুৰ দুমাহৰ পিছতে শাহুৱেকৰো মৃত্যু হল। শাহুৱেকৰ অবিহনে তাই নিৰাশ্ৰয় হৈ পৰিল। পৱিত্ৰ ঘৰত নাথাকিলে ৰাতি-বিয়াল মাত দিওঁতাই নোহোৱা হল। এতিয়া কল্যাণীয়েই ঘৰৰ গৃহিণী; তাইৰ ওপৰতে গৃহস্থালীৰ সকলো কামৰে ভাৰ। পৱিত্ৰৰ আৰ্থিক অৱস্থা লাহে লাহে শোচনীয় হৈ আহিব ধৰিলে। ধনৰ অভাৱত বিদ্যাবুদ্ধি সকলো অসাৰ যেন হল। পৈতৃক মাটিবাৰী যি আছিল তাৰো খাজানা নোপোৱাত পৰিল। ৰাইজৰ দুৰ্গতি দিন দিন বাঢ়ি যোৱাত আধি মাটিৰো ফচল নোপোৱাত পৰিল। ইফালে মাটিৰ খাজানা চৰিহে যাব ধৰিলে। আগৰ দৰে মহাজনৰ পৰাও সহানুভূতি নোপোৱাত পৰিল। মৌজাদাৰৰ তলৰ আহিল; খাজানা ৭ দিনৰ ভিতৰত আদায় নকৰিলে মাটিবাৰী নিলামত দিব। চাওঁতে চাওঁতে নিলামৰ দিন উপস্থিত। মহাজনৰ হাতে ঠেঙে ধৰিও কোনো ফল নফলিল। তেওঁ দিম দিম কৈ থাকি দিনৰ দিনা কলে:—"এতিয়া মহাজনক লাগে; তোৰ বাবে মই টকাৰ ভৰাল বান্ধি থৈছো নহয়? ছোৱালীয়ে পেট ভৰিব আৰু মহাজনক কিয়?"

পৱিত্ৰই কোনো দিন এনে কঢ় কথা মহাজনৰ মুখত শুনা নাছিল। সি জাল জুয়াচুৰি আদি অনেক দুৰ্ঘটনাত মহাজনক ৰক্ষা কৰিছিল। নিজৰ জীৱন বিপন্ন কৰিও তাৰ হিত চিন্তিছিল; কিন্তু তেনে মানুহে আজি এনে কথা শুনালে। চলছলীয়া চকুৰে বিষণ্ণ মনে ঘৰলৈ উভতিল। ঘৰ পাই,—"কল্যাণী সকলো শেষ" বুলি মাটিতেই তলমূৰকৈ বহি পৰিল। কল্যাণীয়ে সকলো কথাৰে গম পাই মিচিকীয়া হাঁহি মাৰি কলে যে, তাইৰ বিয়াৰ অলঙ্কাৰখিনিকে বন্ধক থৈ বিপদৰপৰা উদ্ধাৰ হওক। কিন্তু; কি হব! বন্ধক থবৰো যে সময় নাই। পিয়াদা আহি দুৱাৰ মুখত হাজিৰ! ওচৰ চুবুৰীয়া সকলো আহি ভৰি পৰিল। নানা জনে নানৰূপে পৱিত্ৰক, অকৰ্ম্মা, এলেহুৱা, আদি কথাৰে বিদ্ৰূপ কৰিব ধৰিলে। যি মানুহে এদিন পৱিত্ৰৰ ভৰিৰ ধূলি মূৰত লৈছিল তেনে লোকৰ মুখত এনে কথাশুনি লাজ আৰু ঘৃণাত তাৰ প্ৰাণ অসহ্য হৈ উঠিলেও নিমাত হৈ থাকিল। ৫০০০৲ টকাৰ জমী ১৩৫৲ টকাত নীলাম হৈ গল। বাকী ৰল মাথো দু বিঘা বস্তি মাটি আৰু পুৰণি ঘৰবাৰী। এনে দুখ দাৰিদ্ৰ্যৰ মাজতো একমাত্ৰ বন্ধু কল্যাণী; একমাত্ৰ শান্তি

স্থল কল্যাণীৰ এবছৰীয়া—দেবদূত আৰু তাৰ অফুৰন্ত হাঁহি। কল্যাণীৰ আত্মত্যাগ, স্বামী সেৱা আৰু অমায়িকতাই পৱিত্ৰৰ সম্পত্তি নাশৰ দুখ অনেক হ্ৰাস কৰিলে।

দুখ অকলে নাহে। হলা বাহকহে সকলোৱে আজোৰে। কালু মহাজনে আজি তেৰ বছৰ নীৰৱে সুযোগৰ প্ৰতিক্ষা কৰিছিল। যেতিয়া দেখিলে যে, পৱিত্ৰৰ আগৰ অৱস্থা নাই; সি এতিয়া বাটৰ ভিকহুতকৈ কোনো গুণে শ্ৰেষ্ঠ নহয়; তাৰ আগৰ স্ফূৰ্ত্তি আগৰ উৎসাহ সমূলি নাই তেতিয়া এদিন পৱিত্ৰৰ ঘৰত ওলালগৈ। পৱিত্ৰই কালুক বহিব দিলে। কালুৱে কলে যে, সি বহিব অহা নাই; দলিলৰ সুদৰ তাগিদ কৰিবহে আহিছে। ইমানদিন ধৈৰ্য্য ধৰি বাট চাই আছিল কিন্তু এতিয়া আৰু সিদিন নাই! হয় দলিল দিব, নহয় সুদ ওৱাচিল দিব। হতসৰ্ব্বস্ব পৱিত্ৰই অগত্যা নিৰুপায় হৈ সুদৰ সুদে সৈতে দলিল বদলাই দিলে। দলিল লেখাহলত কালুৱে কলে যে, তাৰ ধাৰ মাৰিবৰ কোনো সমৰ্থ নাই; সেই বাবে সি তাৰ লগত উজনীলৈ যাব লাগিব। ৬ মাহৰ ভিতৰত খাই বই ৭০৲ টকা কৰ্ত্তন পাব নতুবা সি দলিল দাখিল কৰিবৰ বাধ্য হব। যাবৰ সময়ত কলে, "সোনকালে মোক সমিধান দিবা। নাও পঠিয়াবৰ সৰহ দিন নাই। লগৰ বেপাৰীবোৰে যাত্ৰা কৰিলেই।"

(৪)

ঋণ পৰিশোধৰ কোনো উপায় নেদেখি পৱিত্ৰ বেপাৰলৈ ওলাল। যাবৰ সময়ত সজলনয়নে কল্যাণীক কলে "তোমাক নিৰাশ্ৰয় কৰি ছমাহলৈ ৰক্তশোষক কালুৰ লগত যাব লাগিল। পোনাকণক ভালকৈ চাবা।"

কল্যাণীয়ে পৱিত্ৰৰ ভৰিত পৰি "আশীৰ্ব্বাদ কৰক, এয়া আপোনাৰ অমূল্য সম্পত্তি ৰক্ষা কৰিবলৈ ভগৱানে যেন ধৈৰ্য্য আৰু বল দিয়ে। চিৰ জীৱন যেন আপোনাকে সেৱা কৰিবলৈ সুযোগ পাওঁ।"

কল্যাণীৰ পৰা বিদায় লৈ পৱিত্ৰ নাওত উঠিল। নাও অহৰহ উজাব ধৰিলে। পৱিত্ৰৰ সৰুৰে পৰা মোটা ভাত খোৱা অভ্যাস নাছিল। নাৱঁৰীয়াৰ আহাৰ তাৰ শৰীৰত সুসুজাত পৰিল। মাজে মাজে তাৰ পেটৰ অসুখ হয়। দুখক দুখ নুবুলিও সি তাৰ কৰ্ত্তব্য কৰি যায়। নাও গৈ মাজুলীৰ ওচৰত এখন মিৰিগাও পালে। দুপৰবেলা আধাসিজা মাহ-ডালি আৰু খাৰনিৰে ভাতখাই তাৰ পেট ফুলি আছিল। তাৰ পেটৰ অসুখ বেছি হৈ আহিল। কেইবাবাৰো শৌচ হোৱাত তাৰ গা অৱশ হৈ পৰিল। কালুৱে পৱিত্ৰৰ কাষলৈ গৈ দেখে যে, পৱিত্ৰ একেবাৰে দুৰ্ব্বল হৈ পৰিছে তাৰ উঠিবৰো গাত শক্তি নাই। মঙ্গলা আৰু ভৈৰৱ নামেৰে আন ভাগিয়াক মাতি কালুৱে কলে,—"এই মৰাশটো লগতলৈ আমি কষ্টভোগ কৰাৰ কোনো সকাম নাই। ইয়াক বালিত তুলি থৈ নাও এৰিদে। ৰাতি ই নিশ্চয় মৰিব আৰু যদি অলপ জীৱ থাকেও শিয়ালে খাই শেষ কৰিব।"

পৱিত্ৰৰ করুণ বিননি আৰু পূৰ্ব্বৰ উপকাৰৰ স্মৃতিয়েও কালুৰ তো কথাই নাই মঙ্গলা আৰু ভৈৰৱৰো অন্তৰত দয়া ওপজাব নোৱাৰিলে। এদিন পৱিত্ৰই নিজৰ জীৱন বিপন্ন কৰিও বাঘৰ হাতৰ পৰা মঙ্গলাক ৰক্ষা কৰিছিল আৰু ভৈৰৱৰ জ্বৰত দিন ৰাতি পৰদি শুশ্ৰূষা কৰিছিল। এই নিষ্ঠুৰ লোক কেইজনে অকাতৰে কালুৰ আজ্ঞা পালন কৰিলে!

(৫)

"চেনেহী আই, মোৰ দেখো মনতো আজি বৰ বেয়া লাগিছে; অন্তৰখনে থাকি থাকি কান্দো কান্দো কৰে। কাউৰীটোৱেও ৰাতিপুৱাৰ পৰা মই যতে যাওঁ ততে গৈ চিঞৰিব ধৰে।" "কেতিয়াবা কেতিয়াবা সকলোৰে এনেকুৱা হয়।" এনেতে পিয়নে এখন টেলিগ্ৰাম আনি কল্যাণীৰ হাতত দিলে। কল্যাণীয়ে চেনেহীক টেলিগ্ৰাম খন দি স্কুলমাষ্টাৰ মোহনৰ ওচৰলৈ পঠিয়াই দিলে। মোহনে মাতি শুনালে,—"কালি গধূলি কলেৰা হৈ পৱিত্ৰ ঢুকাল।" চেনেহীয়ে চকুৰ পানী মচি মচি কল্যাণীক জনালে। কল্যাণীৰ কান্দোন শুনি ওচৰ চুবুৰীয়া আহি ভৰি পৰিল। নানাজানে নানা ৰকমে প্ৰবোধ দিব ধৰিলে। "বিধিৰ লিখন কেনেকৈ খণ্ডাবি তোৰ কপালত যি আছিল সেয়ে হল। এতিয়া মুখৰ ছাই কেনেকৈ গুচাবি তাৰে দিহা কৰ।" কল্যাণীয়ে তমোময়

দেখিলে। তাইৰ মূৰত যেন সৰগ ভাঙি পৰিল। তাই কোনোদিন কোনো পাপ কাম কৰা নাই, পৰৰ অহিত চিন্তা নাই, তথাপি বিধাতাই অকালতে বৈধব্যদুখ দিলে। ই যে আত্মহত্যাতকৈও অসহনীয়! চেনেহীয়ে অশেষ প্ৰকাৰে বুজাব ধৰিলে কিন্তু কোনো মতেই কল্যাণী আত্ম সম্বৰণ কৰিব নোৱাৰে। চেনেহী কল্যাণীৰ লগৰ পৰা নুগুচাত পৰিল। চেনেহী সম্বন্ধত পৱিত্ৰৰ মাহিয়েক হয়। তাইৰ ঘৰ ৰামপুৰত। চেনেহী মৰমিয়াল, ৰাঙঢালী ধেমেলীয়া বুঢ়ী। তাই কল্যাণীহঁতৰ খবৰ লব আহিছিল আৰু কল্যাণীৰ অনুৰোধৰ কাৰণে যাও যাও বুলিও যোৱা নাছিল। হঠাতে এনে দুৰ্ঘটনা হল।

কেইদিন মানৰ পিছত কালুমহাজন কল্যাণীৰ ঘৰত উপস্থিত। সি বহি কলে যে, কল্যাণীহঁতৰ অভিভাবক নোহোৱাত ভবিষ্যতে বিপদ আহিব পাৰে ইয়াকে ভাবি সি জাহাজেৰে পৱিত্ৰৰ সম্পত্তিৰ এটা সুব্যৱস্থা কৰিব আহিছে। কল্যাণীৰ দুখত দুখ প্ৰকাশ কৰি দুটা কাৰ্তিচ পাতত চহী দিবলৈ কলে। কাৰণ পবিত্ৰৰ ঠাইত তায়েই সকলো সম্পত্তিৰ উত্তৰাধিকাৰীসূত্ৰে আৰু নাবালকৰ অধ্যক্ষ হিচাবে দুখন দৰ্খাস্ত কাচাৰিত দাখিল দিব লাগে। কল্যাণীৰ চহী লৈ কালুৱে কাম কাজত যি খৰচা লাগিব তাক তেওঁ বহন কৰিব বুলি গাত ললে। কল্যাণীক বুজালে যে, পৱিত্ৰ এদিন তাৰ বৰ বন্ধু আছিল। পূৰ্ব্বৰ উপকাৰ কেতিয়াও পাহৰিব নোৱাৰে। কল্যাণীয়ে কালুৰ এনে অস্বাভাবিক দয়াৰ নথৈ শলাগ ললে। চেনেহীয়ে কিন্তু "অতি ভক্তিচোৰৰ লক্ষণ" ভাবি একো নেমাতিলে, দহাকাম শেষ হল। তাৰ দুদিনমান পিছত এদিন গধূলি কল্যাণীৰ ঘৰত কালু হাজিৰ! চেনেহী বজাৰ কৰিব হাটলৈ গৈছিল। হাট বজাৰ বেহাওঁতে তাইৰ সেইদিনা কিবা কাৰণত উলটি অহাত পলম হৈছিল।

কালুৱে টিনৰ চকী এখনত বহি মাত লগালে,—"কল্যাণী তোমাৰ এনে শেতামুখ দেখি মোৰ বৰ দুখ লাগে। তোমাৰ দুখ সোনকালে দূৰকৰিম বুলিহে আজি তোমাৰ ওচৰ চাপিছোঁ।"

কল্যাণী :—'মোৰ দুখ কেনেকৈ গুচাব মহাজন? মই এতিয়া সকলো সুখৰপৰা বঞ্চিত!

কালু :—মই তেনে সুখ দিব পাৰিম বুলিতো আহিছোঁ।

ক :—বাহ্যিক সুখে কি হব? মোৰ অন্তৰ একেবাৰে ভাঙি গৈছে!

কা :—ভাঙিগলে তো জোৰালগাৰ উপায় আছে?

ক :—কিহেৰে? মৰাজন আৰু কি উঠি আহিব; ভাগ্যত আৰু কি তেওঁক দেখা পাম!

কা:—ময়ে সেই ঠাই পূৰালে জানো ক্ষতি আছে? মোক দেখা পাবা। মৰাজনতকৈ মই তোমাক দুগুণ সুখত ৰাখিম। মিছাতে মৰাজনক ভাবি কিয় দুখ ভোগিবা। তুমি মৰিলে পবিত্ৰই বিয়া নকৰোৱাকৈ থাকিল হেতেঁন নে?

ক :—মহাজন, মোক মিছাতে বিৰক্তি নকৰিব। জুইত জুই ঢালিব আহিছে?

কা :—শুনা; এয়া বিধবা বিবাহৰ যুগ। মোৰ কথাত মত দিয়া আৰু ৰাজ সুখ ভোগ কৰা।

ক:—মাফ কৰিব মহাজন। মই অবলা তিৰোতা!

কা:—মই তেন্তে ইমানবোৰ ধন ভাঙি সহায় কৰিলো কিয়?

ক: —ই আপোনাৰ মহান উদাৰতা!

কা:—উদাৰতা নহয়,—ইমোৰ ঘোৰ স্বাৰ্থপৰতা! জানা কল্যাণী, জগতত কোনো নিস্বাৰ্থী নাই। সকলোৱে সৰু বৰ স্বাৰ্থৰ পাছে পাছে ঘূৰিছে?

ক:—তেন্তে আপুনি কি কৰিব খোজে?

কালুৱে অধৈৰ্য্য হৈ 'কল্যাণী' এই বুলি উত্তেজিত ভাবে কল্যাণীৰ হাতত ধৰিবলৈ আগবাঢ়ে, কল্যাণীয়ে কপি কপি ভৰিত পৰি, 'মহাজন, আপুনি পিতৃবয়সীয়া মানুহ। সংযত হওক! এই নিৰাশ্ৰয়া বিধবাক ক্ষমাকৰক। এই বয়সতো পৰস্ত্ৰীৰ প্ৰতি পাপ ভাব—"এনেতে চেনেহী আহি পালে। অবজ্ঞা ভৰে কল্যাণীক গোৰ মাৰি ঘৰৰ বাহিৰ ওলাই, কালুৱে গৰ্জ্জি গৰ্জ্জি, কৈ গল "ইয়াৰ পৰিণাম ভীষণ হব কল্যাণী! পদাহত সৰ্পই দংশন নকৰি

নেৰিব। মই তোমাৰ হাত কাটিলৈছো। মনত আছেনে কাকতত যে চহী দিছিলা? মই কালু নহয় কাল।"

(৬)

মঙ্গলা :—"পৱিত্ৰ তুমি কেনেকৈ পুনৰ্জ্জীৱন পালা? তুমি যেতিয়া মোৰ ওচৰ চাপি আহিছিলা, মই ভূত বুলি লৰালৰিকৈ নাওত সোমাইছিলো, কিন্তু তোমাৰ লগৰ নেপালী-দুজনৰ কথাতহে তোমাক মানুহ বুলি বিশ্বাস কৰিছোঁ। বাৰু কোৱাচোন তোমাৰ তাৰ পিছত কিহল?"

মঙ্গলাৰ কথাৰ প্ৰত্যুত্তৰ দিবৰ ইচ্ছা নাথাকিলেও দয়ালু নেপালীৰ কৰুণাৰ শলাগৰ কাহিনী হিচাবেই সি কব ধৰিলে,—"তোমালোকে জঘন্য হিংসাবৃত্তিৰ আশ্ৰয়লৈ মোক জীয়াই জীয়াই মাৰিবলৈ বালিত এৰি আহিলা। দুখে শোকে মোৰ তন্দ্ৰা আহিল। মোৰ অজ্ঞান অৱস্থাত কি হৈছিল কব নোৱাৰোঁ। চকু মেলি চাই দেখো যে, মই এই মহামানৱ নেপালীৰ ঘৰত। তেওঁলোকে সৰলতা আৰু অকৃত্ৰিম শ্ৰদ্ধাৰে মোক শুশ্ৰূষা কৰাত মই ২ দিনৰ পিছত সম্পূৰ্ণ আৰোগ্য লাভ কৰোঁ। তাৰ পিছত তেওঁলোকৰ মুখে জানিব পাৰিলো যে, তোমালোকে এৰি অহাৰ পিছত মই যন্ত্ৰণাত চট ফটাই আছিলোঁ। এওঁলোকে ৰাতি বালিত মহ চাবলৈ গৈছিল। আৰু মোক তেনে অৱস্থাতে পাই ঘৰলৈ আনি মোক প্ৰাণ দিলে। কিন্তু ভাই তোমালোকে নৃশংস ভাবে হত্যাকৰিব ওলাইছিলা। মই এই কথা কেতিয়াও নাপাহৰো।"

মঙ্গলা—"পৱিত্ৰ, কি কৰিম! আমি মহাজনৰ আজ্ঞাবাহী। যি কয় তাকে কৰিবৰ বাধ্য।"

পবিত্ৰ—"মানুহ মাৰিব দিলেও মাৰিবা নে? এই মহাজনে কি নকৰিছে?"

মঙ্গলা—"সেই বোৰ কব নালাগে। আমি যে ঋণ পাপত পোতখাই আছো' কোনোমতে উদ্ধাৰ নাপাওঁ। আমাৰ ধাৰ কোনো দিনেই শেষ নহয়।"

কালুৱে কল্যাণীৰ ওপৰত দুটা গোচৰৰ চম্‌ন কৰি উঠাৰ পিছত উজনীৰ পৰা চিঠি পালে যে, পৱিত্ৰ ভালহৈ নাও পাইছে। ততাতয়াকৈ, উকীলক মোকৰ্দ্দমা স্থগিত ৰাখিব দি জাহাজেৰে সেইদিনাই ৰওনা হল। মনে মনে কি কৰিব কি নকৰিব "মৰিও নমৰে ৰাম বিপৰীত বৈৰী" ভাবি অস্থিৰ হল। পবিত্ৰ যদি অক্ষত শৰীৰে ঘৰ পায়গৈ তেন্তে সকলো কথা ফাদিল হব। কোন লাজে সি ৰাইজৰ আগত মুখ উলিয়াব। ইত্যাদি কথা গুণি গাঠি তাৰ ওৰেৰাতি টোপনি নাহিল। থল পাই পৱিত্ৰক বৰ আদৰ আচমন কৰিব ধৰিলে আৰু আগৰ কথা যাতে কোনোৱে গম নাপায় সেইবাবে পৱিত্ৰক অনুৰোধ কৰিলে। সৰল বিশ্বাসী পৱিত্ৰই গম্ভীৰ ভাবে নিমাত হৈ থাকিল।

পিছৰ ঘটনা—এদিন এজন গামৰ (সম্ভ্ৰান্ত মিৰি) সৰিয়হৰ মেৰ চাবলৈ পৱিত্ৰৰ সৈতে গল। মেৰত ১০০ মোন সৰিয়হ হব। মিৰিৰ লগত মনে মনে কি বন্দৱস্ত কৰিলে পৱিত্ৰই তাৰ গম নাপালে। গধূলি নাৱলৈ উলটি আহিল আৰু মঙ্গলা আৰু ভৈৰবক লগত দি পবিত্ৰক বস্তা চিলাই কৰিবলৈ পঠিয়াই দিলে। পৱিত্ৰক কলে যে, যদি ৰাতিয়েই বস্তা চিলাই কৰি থৈ আহে তেন্তে ৰাতিপুৱা আন বেপাৰীয়ে ভাও মাৰিব নোৱাৰিব। যদি ৰাতিয়েই এইকাম নকৰে, মিৰি মানুহ আন বেপাৰীৰ ভুৱাত ঘূৰি যাব পাৰে।

পৱিত্ৰই মেৰত উঠি তিনিট মান বস্তা চিলাই কৰিছে মাথো, এনেতে মঙ্গলা আৰু ভৈৰবে 'চোৰ ঔ' বুলি চিঞৰি উঠিল আৰু নাৱঁলৈ ভিৰি লৰদিলে। মিৰিহঁতে তেতিয়া লাউ পানী পিব ধৰিছিল। চোৰৰ নামশুনি মিৰি আহি আগুৰি ধৰিলে। এজন মিৰিয়ে মাত লগালে, "কটা বেমপাৰী! চুৰ কৰিব আয়িচ। ৰ বোমপায়েৰে সেঙ্কা পালি দিম।" পবিত্ৰই কাণ্ড দেখি অবাক! সি বুজিব পাৰিলে যে, কালুৱে তাৰ প্ৰাণ লৈহে এৰিব। নানা প্ৰকাৰে মিৰি হঁতক বুজাই মাৰ পিটৰ হাত সাৰিলে। পিছদিনা কালুৱে পুলিচ লৈ হাজিৰ। মিৰিহঁতে পৱিত্ৰক পুলিচক গটাই দিলে। মঙ্গলা আৰু ভৈৰবে সাক্ষী দিলে যে, 'পবিত্ৰই কানি খায়; কানি খাব নাপালে সি মাজে সময়ে এইদৰে চোৰ কৰে। দুই তিন বাৰ তাৰ হৈ আপোষ মিটমাট কৰি নাৱৰীয়াই বৰ লটি ঘটি হৈছে।

এইবাৰ ৰাজদণ্ড হোৱা ভালবুলি সিহঁতে ভাবে। 'এক সপ্তাহৰ পিছত পৱিত্ৰৰ বিচাৰ হল। বিচাৰকে পৱিত্ৰৰ সৰল্ কথাত বিশ্বাস কৰিলেও তাৰ পক্ষে সাক্ষীৰ অভাৱত নিৰ্দ্দোষীতাৰ প্ৰমাণ নেপাই ৩ মাহ সশ্ৰম কাৰাদণ্ড দিলে।

ভীষণ কাৰাগাৰৰ এন্ধাৰ কোঠালীৰ বিচনাত পৰি পৱিত্ৰ নিয়তিৰ বিচাৰৰ সমালোচনাত মগ্ন। উৰহ, মহ আদিৰ তীব্ৰ কামোৰণিকো তুচ্ছ জ্ঞান কৰি কয়েদীবিলাকে অত্যন্ত পৰিশ্ৰমত ক্লান্ত শৰীৰ দুৰ্গন্ধ মলিয়ন শয্যাত থৈ ভৰ টোপনিত লাল কাল। মাজে মাজে—পহৰাৱালাৰ এক, দুই, তিন আদি গণ্টি কৰা শব্দত বাজে সমগ্ৰ জেইল জগত নিতাল নিমাত! সত্যৰ অনুসন্ধানত তন্ময় হৈ থাকোঁতে হঠাতে পৱিত্ৰৰ টোপনি আহিল। সপোনত যে, তাৰ ভৰি পঠানৰ ওচৰত মলিন ধূলিসনা আলুলায়িত কেশেৰে সৈতে একবস্ত্ৰা সাখা সিন্দুৰ বিহীনা কল্যাণীয়ে লৰাটিক কোলাত লৈ আবেগ ভৰে বহি পৰিলহি। তাইৰ বিধবাৰ বেশ! দুয়ো চকুৰে দুধাৰি চকুলো বৈ গৈছে। তাইৰ করুণ দৃষ্টিয়ে যেন তাৰপৰা সহানুভূতি আৰু নিৰ্য্যাতনৰ প্ৰতিদান বিচাৰিছে। কল্যাণীৰ এনে দুৰৱস্থা দেখি সি আকুলভাবে চিঞৰি উঠিল, "কল্যাণী, কল্যাণী! তোমাৰ এনে গতি।" এনেতে পহৰাৱালাই, 'আদমীলোক জাগ জাগ।' বুলি পৱিত্ৰৰ ওচৰত হাজিৰ। লৰালৰিকৈ জেলৰ কামত হাত দিলেগৈ কিন্তু ওৰেদিনটো তাৰ মনৰ পৰা সপোনৰ কথা নাঁতৰিল।

(৬)

কালুৰ সুনিদ্ৰা হল। নাওঁলৈ ভটিয়াই আহি ঘৰ পালে। মোকৰ্দ্দমাৰ আগাদিনা ৰতন গাওঁবুঢ়া আৰু আন আন সাক্ষী বাদীলৈ কাচাৰিত হাজিৰ হল। কল্যাণীৰ ওপৰত দুইটা গোচৰেই ৰুজু হল। এটা গিৰিয়েকৰ শ্ৰাদ্ধত ধাৰ কৰা টকাৰ বাবে তাই কালুলৈ পাছুৱা যাব, আনটো হৈছে তাইৰ আৰু তাইৰ লৰাৰ অধ্যক্ষ হিচাবে সকলো সম্পত্তি কালুৰ নামে উইল কৰি দিব। হাকিমে পোনতে কালুৰ জবানবন্দী ললে। ভৈৰৱ আৰু মঙ্গলাৰ সাক্ষ্য গ্ৰহণ কৰি—ৰতন গাওঁবুঢ়াক সুধিলে, "গাওঁ বুঢ়া, আপুনি বুঢ়া মানুহ, ঈশ্বৰক আগত ৰাখি যি কয় সঁচা কব।"

গা :—হুজুৰ, আপুনি ধৰ্ম্মাৱতাৰ! মই সঁচা কওঁ বুলিহে আহিছো।

হা :—এই দুখন কাকতত আপোনাৰ চহী আছে। এই দুখন কাকত সঁচানে?

গা :—(গাওঁ বুঢ়াই চকু ফুৰাই) হুজুৰ মই চহী দিয়া এই দুখন কাকত নহয় তাত এইবোৰ কথা নাছিল।

কালু :—(গাওঁ বুঢ়াৰ ওচৰতগৈ) গাও বুঢ়া কি কৰে, মোক মাৰিব খুজিছে নেকি?

গাওঁ বুঢ়া—মই তেতিয়াই কৈছো নহয়; মহাজন, জাল নকৰিব। মই এই অপাৰ্থক কালত মিছা কথা নকওঁ।

হা :—গাও বুঢ়া, এই দুখন জাল কাকত নেকি?

গা :—এৰা, ধৰ্ম্মৱতাৰ। বিধবাক বঞ্চনা কৰিবৰ...।

কালু :—গাও বুঢ়া, গাও বুঢ়া!

হা :—চাপৰাছি পুলিচক খবৰ দে। দাৰোগাই হাত কৰিয়া মাৰি হাকিমৰ নিৰ্দ্দেশমতে কালুক জালিয়াত বুলি জেললৈ লৈ গল। হাকিমে হুকুম দিলে যে কল্যাণীৰ আপত্তি নাথাকিলে, কালুৰ ৭ বছৰ সশ্ৰম কাৰাদণ্ড হব। পুলিচে কালুক বাহিৰত কল্যাণীক দেখুৱালে। কালুৱে মাত লগালে,—"কল্যাণী তোমাৰ বাবে মোৰ এনে দুৰ্গতি। এতিয়াও যদি তুমি কোৱা...।" কল্যাণী,—"মহাজন এতিয়াও আপুনি আক্ৰোশ এৰা নাই।" এনেতে কনিষ্ঠ বলে, 'বুদ্ধা আদমীকো প্ৰেমখিলায়ে' বুলি আজুৰি লৈ গল। জেইলৰ ভিতৰ সোমাই তাৰ জীউ উৰিগল। 'অহ! কি ভীষণ কাৰাগাৰ! বিহ খাই মৰিম!' জেইলাৰে বন্দীৰ এনে কথাশুনি আত্মহত্যাৰ ভয়ত কালুক ৭ দিনলৈ 'চেলত' থব দিলে। কালুৰ প্ৰলাপ, আত্মখেদ আৰু বিননিত নিৰ্জ্জন জেল প্ৰতিধ্বনিত হব ধৰিলে।

(৭)

ৰতন গাও বুঢ়াক কালুৰ মুক্তি প্ৰাৰ্থনা কৰি দৰখাস্ত লিখিদি বিৰয় মনে কল্যাণী বহি আছে এনেতে চেনেহীয়ে

পিয়নৰ হাতৰ পৰা এখন চিঠি আনি কল্যাণীৰ হাতত দিলে। কল্যাণীয়ে চিঠি খুলি চাই ঢলি পৰি গল। কি হল, কি হল বুলি চেনেহীয়ে মূৰত পানী থপৰিয়াই দিয়াত সুস্থ হৈ কল্যাণীয়ে চেনেহীৰ মুখৰ ফালে চাই ৰল। চেনেহীয়ে বাৰে বাৰে পঢ়িব কোৱাত মাতিব ধৰিলে :—

মৰমৰ কল্যাণী,

বহুদিন তোমালৈ চিঠি দিব পৰা নাই। তুমি শিক্ষিতা হইও মোক পাহৰিলা। মোৰ দুখৰ কাহিনী শুনিলে তোমাৰ হৃদয় বিদীৰ্ণ হব। জেঠ মাহৰ পূৰ্ণিমাৰ দিনা আমাৰ নাও বৰমা মিৰিগাও পায়। সেই দিনা দুপৰীয়াৰ পৰা মোৰ হাইজা হয়। মোৰ গা অলপ অৱশ হোৱাত মই মৰিম বুলি কালুৰ হুকুম মতে ভৈৰৱ মঙ্গলাই মোক বালিত তুলি থৈ যায়। অলপ সময় চট ফটাই থাকি মোৰ তন্দ্ৰা আহে। কেইজনমান নেপালীয়ে মৰমতে সিহঁতৰ মহখুটিৰ পজালৈ মোক লৈ যায়। কেইদিন মানৰ ভিতৰত সেই দয়ালু নেপালীৰ শুশ্ৰূষাত আৰোগ্য লাভ কৰোঁ। কিন্তু ঋণপাপৰ পৰা মুক্ত হওঁ কেনেকৈ তাকে ভাবি আকৌ কালুৰ নাওলৈ যাওঁ। নাওত কেইদিন মান থকাৰ পিছত কালু ঘৰৰ পৰা উভতি আহে। মোক দেখিয়েই তাৰ মুখ শেতা পৰে। দহদিনমানৰ পিছত চক্ৰান্ত কৰি মোক চোৰ বনালে। মঙ্গলা, ভৈৰৱ আদি ভাগীয়াই হাঁহি হাঁহি মোৰ বিৰুদ্ধে মিছা সাক্ষি দিলে।

মোৰ তিন মাহ ফাটকৰ আৰু এসপ্তাহ আছে। মই এতিয়া জঘন্য কয়েদী! কিন্তু এই এন্ধাৰ কাৰাগাৰৰ বিভিষীকাৰ মাজতো তোমাৰ স্মৃতিয়ে মোক শান্তি দিয়ে। মোৰ প্ৰতি জেইলাৰে বৰ দয়া দেখুৱাই এই চিঠি লিখিবলৈ অনুমতি দিছে। ঈশ্বৰৰ কৃপাত তোমালোকক সোনকালে দেখা পাম। ইতি—

তোমাৰ
পৱিত্ৰ।

চিঠি পাই কল্যাণীৰতো কথাই নাই চেনেহীয়েও যেন সৰগ ঢুকি পোৱাদি পালে। চেনেহীয়ে চিঠিৰ কথা কাৰো আগত ব্যক্ত নকৰিবলৈ কল্যাণীক সাৱধান কৰি দিলে। হৰ্ষ বিষাদে কল্যাণীয়ে মনে মনে থাকিল।

(৮)

ৰতন গাওবুঢ়াই হাকিমৰ পৰা কল্যাণীৰ দৰখাস্ত মঞ্জুৰ কৰাই খালাচৰ হুকুম লৈ জেইলত উপস্থিত হল। জেইলাৰে হাকিমৰ হুকুম পঢ়ি গাওবুঢ়াক কালুৰ ওচৰলৈ মতাই নিলে। গাওবুঢ়াক দেখি খঙত জলি পকি কালুৱে মাত দিলে—"গাওবুঢ়া, আহিছা!! মোক জেলত দিলা। মোৰ চৈধ্য পুৰুষ নৰকত পেলালা!"

গাওবুঢ়া;—ক্ষান্তহোৱা মহাজন, তুমি পিশাচ! দয়াৱতী কল্যাণীৰ কৃপাত তুমি মুক্ত। এয়া তোমাৰ মুক্তিৰ হুকুম।

জেইলাৰে জেলৰ বাহিৰ কৰি কালুৰ খালাচৰ হুকুম শুনাই দিলে। কালুৱে সসম্ভ্ৰমে কলে "গাওবুঢ়া, কল্যাণী দেৱীনে মানবী?"

গাওবুঢ়াই ইতিকিং কৰি কলে—"হেঃ এতিয়া কল্যাণী দেৱীনে মানবী; আৰু তুমি?"

কালু :—"এৰা গাওবুঢ়া তোমাৰ কথাই ঠিক! মই পিশাচ, মই পৰদাৰলোভী নাৰকী!"

ৰাস-তত্ত্ব

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ শ্ৰুতিকৰ বি-এ

ভগৱান শ্ৰীকৃষ্ণৰ বিশ্ববাঁহীৰ সুৰত অকল মথুৰাৰ গোপিনী সকলেই আকৃষ্টা হোৱা নাছিল। সৃষ্টিৰ আদিৰ পৰা সেই বিশ্ব বাঁহীৰ সুৰ অবিৰাম গতিৰে চলিবই লাগিছে। আৰু তাৰ লগে লগে জগতৰ সকলো জীৱ সেই জগৎমোহিনী সুৰত নিজক পাহৰি তেওঁতে আত্ম-সমৰ্পণ কৰিছে। সাধাৰণতে আমাৰ ভাব হয় যে কোনো এক নিৰ্দ্দিষ্ট সময়ত ভগৱান কৃষ্ণই যমুনাৰ পাৰত বাঁহী বজালে আৰু সেই বাঁহীৰ সুৰত মথুৰাৰ গোপী সকলে বাঁহীৰ তালে তালে নাচিবলৈ আৰম্ভ কৰিলে। প্ৰকৃততে সেইটো নহয়। কৃষ্ণই বাঁহী এদিন বজোৱা নাছিল। তেওঁ বাঁহী বজা[illegible]ল এক "ব্ৰহ্মনিশা" অৰ্থাৎ সৃষ্টিৰ আৰম্ভণৰে [illegible]য়ৰ দিনলৈকে সেই বিশ্ব বাঁহী ভগৱানে বজায়ে অ[illegible] বজায়ো থাকিব। বাঁহীৰ সুৰ আদায় হোৱাৰ লগে লগে এক সৃষ্টিৰ লয় হৈছে, আৰু পুনৰ সেই বিশ্ববাঁহীৰ আৰম্ভণৰ লগে লগে নতুন সৃষ্টিৰ উদ্ভৱ।

ৰাস তত্ত্বত সাধাৰণতে ভক্তিমাৰ্গৰ কথা হে বেছি কৈ পোৱা যায়। ভক্ত নো কেই প্ৰকাৰ কেনে ধৰণৰ ভক্ত হলেনো ভগৱৎ প্ৰেম লাভ কৰিব পাৰি এই সকলো বিলাক 'ৰাসলীলাৰ' পৰা সুন্দৰ কৈ বোধগম্য কৰিব পাৰি। পূৰ্ণিমা ৰাতি সকলোৰে বৰ আনন্দ দায়ক। এই সুন্দৰ পূৰ্ণিমা ৰাতিত, এদিন ভগৱান কৃষ্ণই যমুনাৰ পাৰত বাঁহী বজাবলৈ আৰম্ভ কৰিলে। সেই বাঁহীৰ ধ্বনি শুনা মাত্ৰকে কোনো থিৰেৰে থাকিব নোৱাৰিলে। নিজ কাম-বন পাহৰি গোপী সকলে সেই বাঁহীৰ ফালে আগুৱাবলৈ আৰম্ভ কৰিলে। নিজৰ ল'ৰা-ছোৱালী আনকি নিজ স্বামীকো এৰি সেই বিশ্ববাঁহীৰ সুৰত মন প্ৰাণ ঢালি

দিলে। গোপীসকলক মাজত লৈ কৃষ্ণই বাঁহী বজাবলৈ আৰম্ভ কৰিলে; কিন্তু এইদৰে ৰাসলীলা হৈ থাকোতে গোপীসকলে কৃষ্ণ লাভ কৰি গৌৰব অনুভব কৰিলে আৰু মনতে অহংকাৰৰ ভাব উদয় হল। মনলৈ যেতিয়া সেই অহং ভাব আহিল, কৃষ্ণ তেতিয়াই তেওঁলোকৰ আগৰ পৰা নাইকিয়া হল। তেতিয়া গোপীসকল উন্মাদিনী হৈ কৃষ্ণক বিচাৰিবলৈ আৰম্ভ কৰিলে। কৃষ্ণক বিচাৰি যেতিয়া তেওঁলোক অবশ হল আৰু তাৰ লগে লগে মনৰ সেই অহং ভাব দূৰ হল তেতিয়া হঠাৎ কৃষ্ণক চকুৰ আগতে দেখা পালে। অতপৰ কৃষ্ণ ক'ত আছিল বুলি সোধাত উত্তৰ আহিল যে তেওঁলোকৰ মাজতে আছিল। পুনৰ আকৌ গোপীসকলে অহংভাব শূন্যা হৈ কৃষ্ণৰ লগত ৰঙ্গমঞ্চত যোগ দিলে। এই দৰে ৰাসলীলা হই থকোতে গোপীসকল তিনভাগত বিভক্ত হল—এক শ্ৰেণী কৃষ্ণৰ লগত এক হৈ মিলি গল (যেনে ৰাধা) তেওঁ হল সৎ; এক শ্ৰেণীয়ে কৃষ্ণক চিত্তত অৰ্থাৎ অন্তৰত স্থাপন কৰি ধ্যান কৰিলে সেই শ্ৰেণী চিৎ আৰু এক শ্ৰেণীয়ে আঁতৰৰ পৰা তেওঁক উপভোগ কৰিলে সেই শ্ৰেণীৰ নাম আনন্দ। ভগবানক লাভ কৰিবলৈ হলে দৰ্পশূন্য হব লাগিব নিজৰ অহং ভাব দূৰ হলেই তেওঁক পাব পাৰি। গোপী সকলে কৃষ্ণক মাজত পাই নিজক বৰ যেন ভাবি অহংভাবক বেছিৰকমে প্ৰশ্ৰয় দিছিল, কিন্তু সেই ভাব যেতিয়াই মনত উদয় হল দৰ্পহাৰী ভগবান তেতিয়াই তেওঁলোকৰ মাজৰ পৰা অদৃশ্য হল। কৃষ্ণক নেদেখি, পাগলিনী হৈ হা কৃষ্ণ! হা কৃষ্ণ! কৰি বিচাৰি ফুৰোতে যেতিয়া সেই ভাব দূৰ হল, তেতিয়াই কৃষ্ণক পুনৰ লাভ কৰিলে।

ভগবানক তিনি ৰকমে ভাবিব পাৰি। কিছুমানৰ মতে এক ব্ৰহ্মই হে সত্য, তেৱেঁই প্ৰকৃত সত্য। এক শ্ৰেণীৰ মতে এই জগতৰ ভিতৰতে ঈশ্বৰ আছে ইয়াৰ বাহিৰে নাই। যেনেকৈ অগ্নি আৰু তাৰ দাহিকা শক্তি একেলগে মিলিত, অগ্নিৰ পৰা তাৰ দাহিকাশক্তি পৃথক কৰিব নোৱাৰি সেই দৰে ঈশ্বৰ আৰু তেওঁৰ শক্তিক বেলেগ কৰিব নোৱাৰি। এই দৃশ্যমান জগত মাত্ৰ তেওঁৰ শক্তি (Energy) "god is emmanent" এক শ্ৰেণীৰ মতে ঈশ্বৰ জগতৰ বাহিৰে "God is transcendent" এতিয়া ভক্তশ্ৰেণীকো তিনিৰকমে ভগাব পাৰি যেনে সৎ, চিৎ, আনন্দ। সেই কাৰণেই ভগবানক "সচ্চিদানন্দ" বোলে। যি সেই একত লীন হৈ যায় সেই শ্ৰেণীৰ ভক্ত সৎ, ৰাধা কৃষ্ণৰ সৈতে একেবাৰে এক হৈ গল। ৰাধা প্ৰথম শ্ৰেণীৰ ভক্ত। আৰু এক শ্ৰেণীৰ ভক্তই ভগবানক অন্তৰত অৰ্থাৎ চিত্তৎ ধ্যান কৰে। তেওঁলোকে দ্বিতীয় শ্ৰেণীৰ ভক্ত। গোপীসকলৰ ভিতৰতো এক শ্ৰেণীয়ে কৃষ্ণক অন্তৰত ধ্যান কৰিছিল। আৰু এক শ্ৰেণীৰ ভক্তই ভগবানৰ মূৰ্ত্তিক আঁতৰৰ পৰা উপভোগ কৰি আনন্দ কৰে। এক শ্ৰেণীৰ গোপীয়ে কৃষ্ণক আঁতৰৰ পৰা চাই আনন্দ লাভ কৰিছিল সেই শ্ৰেণী হৈছে "আনন্দ"। ৰাসতত্ত্বৰ পৰা এইটোও সুন্দৰ কৈ বুজা যায় যে ভগবানক লাভ কৰিবলৈ হলে সকলো আসক্তি শূন্য হব লাগিব। বিশ্ব-বাঁহীৰ সুৰ শুনিয়েই নিজ কৰ্ত্তব্য, নিজ লৰাছোৱালী আৰু নিজ স্বামীকো পৰিত্যাগ কৰি গোপী সকলে যেনেকৈ সংসাৰৰ মায়াৰ বান্ধোন দূৰ কৰিছিল, সেইদৰে সংসাৰী মাত্ৰই আগধৰি মায়াক এৰিবই লাগিব তাৰ পাছত হে ভগবৎজ্ঞান। ভগবানৰ প্ৰেমলাভ কৰিবলৈ হলে অৰ্থ, ঐশ্বৰ্য্য সকলোৰে প্ৰতি আসক্তি শূন্য হব লাগিব। এই সংসাৰৰ সুখ, সম্পত্তি ঐশ্বৰ্য্য সকলো তেওঁতে সমৰ্পণ কৰিব পাৰিলে, ভগবানৰ অনুকম্পা বা কৃপাদৃষ্টি পৰে। সকলো বিলাক Naked অৰ্থাৎ আসক্তি শূন্য হব লাগিব "Naked have I come and naked shall I go" গোপীসকল আসক্তিশূন্যা হৈ নিজৰ বস্ত্ৰকো তেওঁত সমৰ্পণ কৰি অৰ্থাৎ ভোগ, ধন অলঙ্কাৰৰ প্ৰতি আসক্তা নহৈ কৃষ্ণক লাভ কৰিলে। আমাৰ মানুহে সাধাৰণতে "গোপীৰ বস্ত্ৰহৰণ" বুলিলে এটা বৰ বেয়া ভাব লয়। কিন্তু সেইটো বৰ ভুল। গোপীৰ বস্ত্ৰহৰণ মানে আন একো নহয় নিজৰ সকলো ত্যাগ কৰি ভগবানক লাভ কৰা। বিশ্বজগত এটা ৰাসমঞ্চ, জগতৰ সকলো জীৱ ভাৱৰীয়া জগৎকৰ্ত্তাৰ বাঁহীৰ সুৰে সুৰে সকলোৱে নিজ নিজ ভাওঁ দিছে। এই ৰাস লীলা হৈয়ে আছে আৰু হৈয়ে থাকিব।

মঙ্গোল জাতি

—শ্ৰীযুত সোণাৰাম চৌধুৰী

১৮৭৯ খৃষ্টাব্দত বঙ্গালী ভদ্ৰলোক শ্ৰীযুত শৰচ্চন্দ্ৰ দাসগুপ্ত মহাশয়ে তিব্বত দেশ ভ্ৰমণ কৰিবলৈ গৈ তাছিলুম্প (মঙ্গলকুট) নামে বৌদ্ধ বিহাৰ এখনত আছিল গৈ। তাতে তেওঁৰ মঙ্গোলজাতিৰ লগত প্ৰথম সাক্ষাৎ হৈছিল। মঙ্গোল আৰু তিব্বতীয় বিলাক প্ৰাচীন হুণ জাতিৰ বংশধৰ। মহাভাৰত ৰামায়ণ আদিত এই হুণ জাতি হৈহয় নামে খ্যাত। গুপ্ত মহাশয়ে তাছিলুম্পতে থাকি মঙ্গোলীয় ভাষা শিক্ষা কৰিবলৈ ধৰিছিল। কথা প্ৰসঙ্গত সিহঁতৰ পৰা তেওঁ ভালেমান কথা সংগ্ৰহ কৰিছিল। তেওঁ প্ৰমাণ পাইছিল,—মঙ্গোলীয় ভাষাৰ লগত তিব্বতীয় বা চীন ভাষাৰ কোনো সংশ্ৰৱ নাই, কিন্তু সংস্কৃতৰ লগত সেইভাষাৰ অনেক সাদৃশ্য আছে। মঙ্গোলীয় উচ্চাৰণ সংস্কৃত অনুযায়ী। সিহঁতৰ লিখিত ভাষাৰ প্ৰতিটা আখৰ উচ্চাৰিত হয়, তিব্বতীয় ভাষাৰ অনেক বৰ্ণৰ উচ্চাৰণে নহয়। মঙ্গোলীয় ভাষাত হাতক 'কৰ' বোলে; ললাটক 'কপাল' বোলে। ধৰ্ম্মক 'নমঃ' বোলে। ৰত্নক 'এৰ্ত্ন' বোলে। তম্বু বা তামীঘৰাক ঘেৰ বোলে, আৰু গৃহস্থক 'ঘেৰতী' বোলে। ইত্যাদি। তেওঁ মঙ্গোলীয়বিলাকক সুধিছিল "তোমালোকে চীন আৰু তিব্বতৰ ইমান ওচৰত থকাতো, তোমালোকৰ ভাষাৰ লগত সিহঁতৰ ভাষাৰ মিল নাই কিয়?" তেতিয়া সিহঁতে উত্তৰ দিছিল যে—"সিহঁতে পূব ভাৰতৰ পৰা তালৈ অহা মানুহ, সেই কাৰণেই ভাৰতীয় ভাষাৰ লগত সিহঁতৰ ভাষাৰ অনেক মিল।' দাসগুপ্ত মহাশয়ে সিহঁতৰ *'চ' আৰু 'জ'ৰ উচ্চাৰণ পূৰ্ব্ববঙ্গৰ দৰে হোৱা লক্ষ্য কৰিছিল। তেতিয়া তেওঁৰ মনত ধাৰণা হল যে পূৰ্ব্বকালত প্ৰাগজ্যোতিষ নামে যি ৰাজ্যৰ কথা মহাভাৰতাদি গ্ৰন্থত উল্লেখ আছে, বোধ হয় তাৰ পৰাই সিহঁতে উত্তৰমুখে গৈ তাতাৰ দেশত বসতি কৰিছে। আসাম, ভামো আৰু বৰ্ম্মাৰ কিছু অংশ লই প্ৰাগজ্যোতিষ নামে এখন ডাঙৰ ৰাজ্য আছিল।

১৮৮৫ খৃষ্টাব্দত যেতিয়া তেওঁ ৰাজকাৰ্য্যৰ অনুৰোধত পিকিন নগৰত বাস কৰিছিল, তেতিয়া তেওঁ মঙ্গোলীয় বিলাকৰ উপনিবেশ কৰা ঠাইত বাস কৰিছিল আৰু সিহঁতৰ লামা অৰ্থাৎ ধৰ্ম্মাচাৰ্য্যৰ দৰে সাজ পিন্ধিছিল। তেওঁ 'যুংহোকুঙ নামে প্ৰসিদ্ধ বৌদ্ধ বিহাৰত পঢ়া শুনা কৰিছিল। সেই সময়ত তেওঁ সিহঁতৰ আচাৰ ব্যৱহাৰ বিষয়েও ভালেমান কথা জানিব পাৰিছিল। তেওঁ লিখিছে,—মঙ্গোলীয় বিলাকৰ ভিতৰত বাল্যবিবাহ প্ৰচলিত কিন্তু বিয়াৰ পাছত দৰা আৰু কন্যা দুয়োটাই নিজ নিজ পিতৃৰ ঘৰত থাকে আৰু উপযুক্ত বয়সতহে সিহঁতৰ মিলন হয়। * বিয়াৰ সময়ত বৰক, ঘোৰা, গৰু উট, চঁৰৰী পহু আৰু ছাগলী আদি যৌতুক দিয়া হয় আৰু তাৰ থকাৰ নিমিত্তে এটা তম্বুও দিব লাগে। আন যৌতুক দিব নোৱাৰিলেও তম্বুটো দিয়া নিতান্ত দৰকাৰ,—তাকে নিদিলেই নহয়। এই তম্বুৰ নাম 'ঘেৰ বা যুৰ্ত্তা'। এই তম্বুত থকাৰ পৰাই ঘেৰতী বা গৃহস্থ নাম পায়। বৰৰ পক্ষৰ পৰাও কন্যাৰ নিমিত্তে কাপোৰ বাচন-বৰ্ত্তন ৰন্ধা-বঢ়াৰ উপকৰণ, আৰু ঘোৰা, উট প্ৰভৃতি উপহাৰ স্বৰূপ দিয়া হয়। বিয়াৰ পাছত পুত্ৰে সুকীয়া তম্বুত থাকিলেও সেই তম্বু পিতাকৰ তম্বুৰ অলপ আঁতৰতে তোলা হয়। হঠাতে সিহঁতে বাপেক মাকৰ কাষ এৰি গুচি নেযায়।

* পূৰ্ব্ববঙ্গ আৰু অসম উপত্যকাৰ মানুহৰ 'চ' আৰু 'জ'ৰ উচ্চাৰণ যে একে তাক সকলোৱে জানে। পূৰ্ব্ববঙ্গও প্ৰাচীন প্ৰাগজ্যোতিষৰে অংশ।—লেখক।

* এই প্ৰথা আজিও অসমত পালিত হয়।

মঙ্গোলজাতিটোৰ ভিতৰত বংশাৱলীৰ তালিকা ৰখা এটা প্ৰধান কাম। কোন বংশৰ পৰা কাৰ বিয়া হল, তাৰ হিচাপ সিহঁতে সাৱধানে ৰাখে। এই সম্বন্ধ নিৰ্ণয় কৰা পুথিক 'দশো' বোলে। বিয়াৰ আগেয়ে ইহঁতে লগ্ন থিৰো কৰি থয় আৰু ৰাশি নক্ষত্ৰাদিৰো বিচাৰ কৰে। সিহঁতৰ ভিতৰত কন্যাদান কৰা নিয়ম নাই। দৰাবীয়াই পন (ধনবস্ত্ৰ) দি বিয়া কৰাব লাগে। বিয়াৰ সময়ত দৰা আৰু কন্যা দুয়ো যৰতে যজ্ঞ বা যাগ পতা হয়। যাত্ৰাৰ সময়ত কন্যাই তিনিবাৰ যজ্ঞৰ অগ্নি প্ৰদক্ষিণ কৰিব লাগে। কন্যাই শহুৰ ঘৰলৈ আহিয়েই বাপেকৰ ঘৰৰ কাপোৰ অলঙ্কাৰ সকলো সোলোকাই দৈ বৰঘৰীয়াৰ বস্ত্ৰ অলঙ্কাৰ পিন্ধি ওৰণী কোবনী লৈ শহুৰ শাহুক সেৱা কৰে। সেৱা কৰি ওলাবৰ সময়ত শহুৰ শাহুলৈ পাছ নিদি তেওঁলোকক সমুখত ৰাখি পিছুৱাই বাহিৰ হয়। এই সময়ত লামাসকলে স্বস্তিবচন অৰ্থাৎ আশীৰ্ব্বাদ দিয়ে আৰু শহুবেক আদিয়ে কন্যাৰ মনত লগা বস্তু আদি উপহাৰ দিয়ে।

কন্যা যেতিয়া শহুৰী ঘৰলৈ আহে, তেতিয়া কন্যাৰ মাকো তাইৰ লগত আহিব লাগে আৰু অতি কমেই এৰাতি তাত থাকিব লাগে। মাকে ইচ্ছা কৰিলে সাতৰাতিও থাকিব পাৰে। যিদান দিন মাক থাকিব, সিদান দিন কন্যাৰ স্নানিসমিলন নিষিদ্ধ। কন্যাই মাহেক কাল তাতে থাকি গিৰিয়েকে সৈতে বাপেকৰ ঘৰলৈ যায়।

মঙ্গোল বিলাকৰ ভিতৰত বিবাহ বিচ্ছেদ আৰু বিধৱা-বিবাহ প্ৰথা আছে। সিহঁতৰ স-গোত্ৰৰ ভিতৰতে বিয়া হয় কিন্তু তিন্নতৰ সগোত্ৰ ত বিবাহ নহয়। মঙ্গোল বিলাকৰ শৱ দাহ কৰা নিয়ম আছে আৰু শ্ৰাদ্ধ আদিও কৰা হয়। তিব্বতৰ শ্ৰাদ্ধৰ নিয়ম থাকিলেও শৱ দাহ কৰা নিয়ম নাই। তিব্বতীয় বিলাকে শৱটোক খণ্ড খণ্ড কৰি শগুণ আদিক খাবলৈ দিয়ে।

* * * *

একদেশৰ মানুহ আন দেশলৈ গৈ তাত বাস কৰিলে, সেই ঠাইতো সিহঁতে নিজ দেশৰ নাম দিয়া দস্তুৰ। এইটো স্বাভাবিক কথা। পুন্ বা মঙ্গোলীয়াবিলাকে হায়ংহো নামে মহানদীৰ নিৰ্গম ঠাইৰ ওচৰৰ ভূমিক প্ৰাগজ্যোতিষ বোলে। * তিব্বতীয় ভাষাতো সেই ঠাইৰ নাম "ডোংৱে কেয়াংৱে" যাৰ অৰ্থ প্ৰাগজ্যোতিষ *

* এই কথাৰ পৰা প্ৰাগ জ্যোতিষৰ বাজৰ সীমা হায়ংহো নৈকৈ থকা বুলি ধৰিব পাৰি।

* প্ৰতিভা ১ম বৰ্ষ ১৮৩৮ সন, ১২ শ সংখ্যাৰ পৰা সংগৃহীত।—লেখক



কামাখ্যা-তীৰ্থ

(কালিকাপুৰাণৰ পৰা অনূদিত)

(২)

—পণ্ডিত শ্ৰীযুত কামাখ্যা চৰণ ভট্টাচাৰ্য্য

হে নাৰদ! তোমাৰ বুজৰ কৌশলত আমি দুয়োজন তুষ্ট হৈছোঁ, তুমি বৰ প্ৰাৰ্থনা কৰা! এতিয়া আমি সঁচা কৈছোঁ, তুমি যি ইচ্ছা কৰা, আমি তাকে কৰিম। সিহঁতৰ সেই কথা শুনি জগতৰ পতি বিষ্ণুয়ে কলে,—হে মহাবলন্ত মধু-কৈটভ! তোমালোক যেন মোৰ বধ্য হোৱা। যদি তোমালোকৰ মোক কিবা দিব লগীয়া থাকে, তেন্তে এই বৰ দিয়া। এই কথা শুনি সিহঁতে কলে, 'তোমাৰ পৰাই আমাৰ বধ শোভা পায়। এই বাবে সপ্তাতি পানী নোহোৱা ঠাইত আমাক বধ কৰা।' সিহঁতৰ সেই কথা শুনি ব্ৰহ্মাণ্ডৰ স্বামী বিষ্ণুয়ে, ব্ৰহ্মাক আৰু মোক সোনকালে মাতি এই কথা কলে। 'ব্ৰহ্মাৰ সেই শক্তি শিলক তলালিকে তুলি এনেভাবে ধৰিবা যে, মই সেই শিলৰ ওপৰত থাকি, সেই মহাবলী মধু আৰু কৈটভক বধিবলৈ যাতে পাৰ্গত হওঁ।' তাৰ পাছত ব্ৰহ্মা আৰু মই—শিলক তুলিলোঁ, তাৰ ভিতৰত পুৰফালে মই পৰ্ব্বতৰ ৰূপ ধৰি, ওপৰত থাকি সেই শিলক ভেদি ৰসাতলত সোমালোঁ। ঈশান কোণত কূৰ্ম্মেও পৰ্ব্বতৰূপে সেই শিলক ধৰিলে। বায়ুকোণত অনন্ত, নৈৰ্ঋত কোণত সুৰেশ্বৰী জগধাত্ৰী মহামায়াই নিজে শৈলৰূপ ধৰি, অৱস্থান কৰিব ধৰিলে। অগ্নিকোণত ভগৱন্ত গণেশ্বৰ বিষ্ণুয়ে নিজে আন এটি ৰূপত থাকি সেই ব্ৰহ্মশক্তি শিলাক ধৰিছিল। মাজভাগত ব্ৰহ্মা, মই আৰু এটি বৰা থাকিলোঁ। তাৰ পাছত জগতৰ আধাৰ-স্বৰূপ বিষ্ণুয়ে, বৰাহৰ পিঠিৰ ওপৰত থাকি, সেই তলৰে ঘোৰা শিলক থিৰ কৰি, নিজৰ বাম উকত যত্নবে সৈতে সিহঁতৰ মুৰ বাৰি আৰু গাৰ গোটেই খিনি বলেৰে আক্ৰমণ কৰি, সেই মহাবীৰ মধু আৰু কৈটভৰ মুৰ চক্ৰেৰে কাটি পৃথিবীৰ বাজে আন ঠাইত এটি এটি কৈ পেলাই দিলে। আৰু সেই ব্ৰহ্মশক্তি শিলটোক দেৱগণে বাৰে বাৰে যত্নবে সৈতে ধৰা সত্ত্বেও তললৈ গল।

তাৰ পাছত জগতৰ পতি বিষ্ণুয়ে, ব্ৰহ্মশক্তি-শিলক যত্নবে সৈতে উদ্ধত কৰি, সেই মৰা মধু আৰু কৈটভৰ দেহত থাপিলে। তাৰ পাছত পৃথিবী উদ্ধতা হলত, পানীবোৰবে তিতি থকা পৃথিবীক সিহঁতৰ মেদৰ লেওদি শকত কৰিলে। সেই মেদৰ বিলেপন গোৱাৰ কাৰণে পৃথিবী দেবীক আজিও দেবতা, মানুহ আৰু বাক্ষস বিলাকে মেদিনী বুলি কৈ থাকে।

আটাইবোৰ প্ৰাণী-সৃষ্টিৰ পাছত, বহুকাল অতীত হোৱাত, ভাৰ্য্যাৰ্থী হৈ দক্ষৰ কন্যাক পত্নীৰূপে গ্ৰহণ কৰিছিলোঁ। সেই দক্ষৰ কন্যা সতীয়ে—"যদি আপুনি তেওঁৰ অনিষ্ট কৰে, তেনেহলে মই জীৱন এৰিম," পিতাকক এনেকুৱা প্ৰতিজ্ঞাত আৱদ্ধ কৰি, মোৰ প্ৰেয়সী ভাৰ্য্যা হৈছিল। তাৰ পাছত দক্ষে,—যজ্ঞৰ অনুষ্ঠান কৰি গোটেই স্বাৰব-জঙ্গমক নিমন্ত্ৰণ কৰিলে, মাৰোঁ মোক আৰু সতীক নিমন্ত্ৰণ নকৰিলে, সেই বাবে সতীয়ে প্ৰাণ বিসৰ্জ্জন কৰিলে। তাৰ পাছত মই নোহোৱা কাতৰ হৈ সতীৰ সেই শটো কাঙ্ধত লৈ, ইফালে সিফালে ঘূৰোঁতে ঘূৰোঁতে, সেই পীঠস্থান পালোঁ। যোগনিদ্ৰাৰ প্ৰভাৱত যি যি ঠাইত পৰ্য্যায়ক্ৰমে সেই সতীৰ অঙ্গ পৰিছিল, সেইবিলাক ঠাই বৰ পবিত্ৰ বুলি খ্যাত হৈছে। সেই কুব্জিকা-পীঠত সতীৰ যোনিমণ্ডল পৰে; আৰু মহামায়া দেবীও সেই যোনিত বিলীনা হৈ থাকিল। পৰ্ব্বতৰূপী মোত সেই যোনিমণ্ডল পৰিলত আৰু তাতে সে গনিত্ৰা বিলীনা হোৱাত, সেই পৰ্ব্বতখন নীলা বৰণীয়া হৈছিল। *

* অথ কালে বহুতিথে ব্যতীতে প্ৰাগিনজন্মনে।
অগৃহ্লাং দক্ষতনয়াং ভাৰ্য্যাৰ্থেহহং বহূং বৰাম ॥৫২॥
সাঽমেকদ্বৰ প্ৰেয়সী ভাৰ্য্যা প্ৰাণান সময়ং পিতুঃ।
অনিষ্টকাৰী তৰ্কেৎ স্যাঃ প্ৰাণাংস্যক্ষে তদা বহং ॥৫৩॥
ততো যজ্ঞে সমপ্তাংস্তু স চ বৰে চৰাহবম্।
ন মাং নাপি সতীং বৰে তৰিষ্টোঽস্ত্ৰা তু সা ॥৫৪॥
ততো মোহং সমাক্ৰান্তস্তামাদায় মৃতামহম্।
প্ৰাণং পীঠবৰং তত্ত ভ্ৰমমান ইতস্ততঃ ॥৫৫॥
তস্যাস্বঙ্গানি পণ্যাহাং পতিতানি যতো যতঃ।
তত্তৎপুণ্যতমং জাতং যোগনিদ্ৰাপ্ৰভাবতঃ ॥৫৬॥
তস্মিংস্তু কুব্জিকাপীঠে সত্যাস্তদ্ যোনিমণ্ডলম্।
পতিতং তত্র সা দেবী মহামায়া ব্যলীয়ত ॥৫৭॥

যি হেতু সেই মহাদেবী অকলে গোটেই জগতর প্রকৃতি, সেইবাবে সেই জগতর প্রসর কাবিনীক ব্রহ্ম বিষ্ণু আক শিবে ধাবণ কবি আছে। সেই পর্ব্বতবোবব মাজত পুবফালে থকা ব্রহ্মশৈল, সেই পর্ব্বতথনক দেবতা সকলে "শ্বেত" বুলি কয় আক মোব মূর্ত্তি শৈল, নীল নামেবে কথিত হয়। সেই নীল পর্ব্বত মাজত আছে আক পীঠ, সি তিনিকুণ্ডীয়া, দেউগোতে উবলব দবে আক ব্রহ্মববাহব মাজত বিবাজমান। শৈলরূপী ববাহ পর্ব্বত "চিত্র" নামে প্রসিদ্ধ।

ববাহপৃষ্ঠব ওপবিভাগত যি ঠাইত ভগ্নস্তূপ হবিয়ে সেই ঠাইত মধু আক কৈটভ অসুবব শিবচ্ছেদ কবিছিল, সেই ঠাইত "পাণ্ডুনাথ" নামেবে এটি শিলা উপজিছে। ব্রহ্মশক্তি-শিলব মাজত আক পুবভাগত যি পর্ব্বত আছে, তাব নাম "ভস্মাচল"। কুব্জিকা-পীঠ নামেবে প্রসিদ্ধ এনেকুবা পুণ্যতম ক্ষেত্রত, নীলপর্ব্বতব ওপবত মহামায়া-দেবীয়ে মোব লগত সদায় নির্জ্জনত বাস কবে। সতীব বিশীর্ণ যোনিমণ্ডল পর্ব্বতত পবি শিল হৈছে, সেই পাষাণময় যোনিত কামাখ্যা দেবী থাকে। যি মানুহে, সেই শিলক চুবে, তেওঁ অমবত্ব লাভ কবে, আক অমব হৈ ব্রহ্মলোকত থাকি শেহত মুক্তিলাভ কবে।

যি শিলত ভগবতী কামেশ্বরী থাকে, তাব মাহাত্ম্য কথা আচবিত; যাব ওহস্থান পাই লোহাও ভস্ম হয়। সেই কামাখ্যাদেবীয়ে, সকল লোকব মোহব কাবণে আক প্রীতিব বাবে দিনে দিনে পাঁচোটা মূর্ত্তি ধবে। দহো পাঁচমুখে পাঁচভাগত সেই কামেশ্বরীব ঠাইত থাকে, পুবভাগত ঈশানকণত, আক সেই কপেই প্রধান। ঈশানকোণত তপ্তপুকব, তেতিয়া ওচবত অঘোব, বায়ুকোণত সদ্যোজাত আক বাসদেব। নবশ্রেষ্ঠ বেতাল আক ভৈবব আক দেবীব পঞ্চ মূর্ত্তিব কীর্ত্তন কবোঁ, শুনা; সেইবোব কথা দেবতাসকলবো গোপনীয়। কামাখ্যা, ত্রিপুবা, কামেশ্বরী, শিবা, শাবদা,—এওঁলোক সকলোতে মহোৎসাহ, কাম, কণ আক ওগব দ্বাবা অনুস্থূত। শিলকণ যোনিমণ্ডলত মই সিদ্ধ কণ ধবিলত, দেবতা সকলেও শিল হৈ শৈলকণ ধবিলে।

ব্রহ্মা, বিষ্ণু, কদ্র, সকলো দিক্‌পাল আক আন আন দেবতাসকলে সদায় মোব অনুকূল হৈ কামরূপিনী দেবীব উপাসনাব নিমিত্তে এই ঠাইত থাকে। সদাশিবে যি নীল-শৈলকণ ধাবণ কবিছে, সেইটো হিনী কুনীয়া আকাবব আক মাজভাগ দ। তাব ভিতবত বিশ-শক্তি থকা অতি ধুনীয়া মণ্ডল। তাতে মনোভব-নির্ম্মিত কামগুহ্য। সেই গুহাব অভ্যন্তবত শিলাত অঙ্কিত শিলাকপিনী মনোহব গুহা। সেইটো সিদ্ধব আক কুব্জব নিচিনা বঙা আক সকলো কামদায়িনী। সেই যোনি পীঠত নিত্যে পঞ্চকণা, মূলভূতা, সনাতনী জগন্মাতী, মহামায়া কামাখ্যাদেবীয়ে জীয়ৰ কবে।

সেই ঠাইত দেবীক বেষ্টন কবি, মূলভূতা, সনাতনী, আগেয়ে কোৱা শৈলপুত্রী আদি কবি আঠোটা যোগিনী থাকে। হে ভৈবব! তেওঁলোকব পীঠানুগত নাম একেগে শুনা। গুপ্তকাম, শ্রীকামা, বিদ্যাবাসিনী, কোটীশ্বরী, বনস্থা, পাদদুর্গা, দীর্ঘেশ্বরী আক ভুবনেশ্বরী। কামাখ্যাদেবীব এই অষ্টযোগিনী পীঠদেবতা আক নিজ নিজ পীঠব নাম অনুসাবে বিখ্যাত। হে ভৈবব! এই ঠাইত আটাইবোব তীর্থেই জলরূপে আছে। আক সৌভাগ্যনামে পুণ্যদা এটি সক সবোবব আছে। সেই সবসীব তীবত কমল নামে বিষ্ণু আছে। কামাখ্যাব ওচবত কামুক নামে বটুক আছে। দেবীব লগত লক্ষ্মী আক সবস্বতী আছে। লক্ষ্মী ললিতা আক সবস্বতী মাতঙ্গী নামেবে প্রসিদ্ধা। সেই শৈলত পুব ভাগত দেবীব ছবাবত প্রিয়পুত্র গণেশ সিদ্ধ নামে বিখ্যাত হৈ আছে।

হে ভৈবব! মোব ইশান নামে যি মুখ, সেইটোই সিদ্ধেশ্বব নামক শিলাময় সিদ্ধকুণ্ডকণে আছে জানিবা। তেওঁব ওচবত গঙ্গাক্ষেত্র আক বাবানসী, যোনিমণ্ডলব দবে কৃত্তিবাস ধাবণ কবি আছে। তাব কাষত সুধাবে ভবি থকা অমৃতকুণ্ড আছে। সেইটো মোব প্রীতিব বাবে ইন্দ্রে দেবতাগণেবে সৈতে লগ লাগি স্থাপিত কবিছিল। মোব বামদেব নামে যি মুখ আছে, সেইটোই শ্রী কামেশ্বব নামে মহাপুণ্য কামকুণ্ডকণে তাব ওচবত আছে। সিদ্ধ আক কামকুণ্ডব মাজত কেদাব নামেবে ক্ষেত্র আছে। সেইক্ষেত্র * চৈধা বাম দীঘল; আক তাক ছাবাচ্ছত্তও বোলে। তাব ওচবত গুরুকামা নামে শৈলপুত্রী গুপ্তকুণ্ডব মাজত কামেশ নামেবে শিলত আছে। কামেশ্বব শিলাব পূর্ব্বভাগত কামাখ্যাব অঙ্গীভূত শিলা সদায় লগলগা; আক তাব আন ভাগত যোনিমণ্ডল সংযুক্ত। কাম আক কামাখ্যাব মাজত থকা পীঠত কাল-বাত্রি, দীর্ঘেশ্বরী নামে অবস্থিতা আক সীমা-ভাগত প্রচণ্ডিকাই বাস কবে। কামাখ্যা পীঠব প্রান্ত ভাগত কুমাণ্ডী নামেবে যোগিনী, পীঠানুগত কোটীশ্বরী নামে যোনিকণে অবস্থিতা। মোব অঘোব নামে যি মুখ আছে, সেইটো কামাখ্যাদেবীব দক্ষিণ-পীঠত অবস্থিত; পঞ্চম পদ প্রাণীগণে তেতিয়া ভৈবব নামে কীর্ত্তন কবে। ভৈবববব কান্ত ভৈবৰী নামে চামুণ্ডা দেবী থাকে। এওঁ অষ্ট নায়িকাব অন্যতমা, চণ্ড-মুণ্ড নামেবে অসুব দুজনব সংহাব কাবিণী আক ভক্তব মনোবাঞ্ছা পূর্ব্বকাবিণী। কাম আক ভৈববব মাজত স্বয়ং সুবন্দবী, সকল জগতব হিত আক কামাখ্যা দেবীব প্রীতিব কাবণে আছে। মোব সদ্যোজাত নামেবে যি মুখ, সেইটো পীঠত আত্মাতকেখব নামে প্রসিদ্ধ। সেইটো ভৈবব নামেবে গুহাত আছে আক দেবর্ষি সকলব দ্বাবা সেবিত।

লী নাম্নাং যোগিনীনাঞ্চ মতি পর্ব্বতরূপিনী।
স নীলবর্ণ শৈলোহভূৎ পতিতে যোনি মণ্ডলে ॥৫৮॥
একা সমস্তরূপাঞ্চা প্রকৃতিঃ সা যতস্ততঃ।
ব্রহ্ম বিষ্ণুশিবৈর্বেদ্যা সা জগত্যাং প্রসূঃ ॥৬৭॥
তত্র পূর্ব্বো ব্রহ্মশৈলঃ শ্বেত ইত্যুচ্যতে সুবৈঃ।
মজ্জপদাবী শৈলস্তু নীল ইত্যুচ্যতে তথা ॥৬৮॥
স তু মধ্যগতঃ পীঠস্থিকোণাণ্ডলাকৃতিঃ।
বিত্রাজমানঃ সততং মধ্যে ব্রহ্মববাহয়োঃ ॥৬৯॥
ববাহঃ শৈলরূপো বঃ স চিত্র ইতি কথ্যতে।
ববাহপৃষ্ঠচবমে নগশ্চিত্রো মহাস্থবৈঃ ॥
হবিণা তত্র সংগতে পাণ্ডুনাথ ইতি স্মৃতঃ ॥৭৪॥
ব্রহ্মশক্তি-শিলাগ্রস্তু পূর্ব্বভাগে তু মধ্যতঃ।
যস্তু পর্ব্বতকপোঽস্তি স তু ভস্মাচলাহ্বয়ঃ ॥৭৫॥

এবং পুণ্যতমে পীঠে কুব্জিকা পীঠসংজ্ঞকে।
নীলকূটে মহা সাদ্ধে দেবী বহসি সংস্থিতা ॥
সত্যাশ্চ পতিতং তত্র বিশীর্ণং যোনিমণ্ডলম্।
শিলাত্ব মগমচ্ছৈলে কামাখ্যা তত্র সংস্থিতা ॥৭৭॥
সংস্পৃশ্য তাং শিলাং মর্ত্ত্যো ন্নাম বত্সবাণ্যুতাং।
অমর্ত্ত্যো ব্রহ্মভবনং তৎস্থো মোক্ষমবাপ্নুয়াৎ ॥৭৮॥
তস্যাঃ শিলায়া মাহাত্ম্যং যত্র কামেশ্বরী স্থিতা।
অদ্ভুতং যত্র গুহ্যেতু লোহং ভস্ম ভবেদ্ধ্রুবম্ ॥৭৯॥
সা চাপি প্রত্যহং তত্র পঞ্চমূর্ত্তি ধবাভবৎ।
মোহার্থং সর্ব্বলোকানাং মমাপি ক্রীড়নে শিবা ॥৮০॥
অহং পঞ্চমুখেনাত্র পঞ্চকার্থে ব্যবস্থিতঃ।
ঈশানঃ পূর্ব্বভাগস্থঃ কামেশ্বর্য্যাঃ প্রধানভঃ ॥৮১॥
ঈশাঙ্গাচ্চ বৈ তৎপুরুষো ঘোবোবস্তু সন্নিধৌ।
সদ্যোজাতোঽথ বাহবাং বামদেবস্তু সম্ভতঃ ॥৮২॥

দেব্যাশ্চাপি নবস্তোত্র পঞ্চরূপানি ভৈবব।
শৃণু বেতাল গুহ্যানি বেবৈবাপি সবৈব হি ॥ ৮৩ ॥
কামাখ্যা ত্রিপুবা চৈব তথা কামেশ্বরী শিবা।
শাববাখ্য মহালক্ষ্মী কামরূপস্তথৈবচ ॥ ৮৪ ॥
মন্ত্রি লিঙ্গমাপন্নে শিলায়াং যোনি মণ্ডলে।
সর্ব্বে শিলাত্বমাপন্নে কণাশ্চ নিজবাং ৮৫
ব্রহ্মবিষ্ণুহবশ্চাত্র ত্রিগুণাঃ সর্ব্ব এবতে।
অন্তেস্থাস্ত স্থিতা দেবাঃ সাদ্যকূলাঃ সলা মহি ॥ ৮৮।
উপাসিতুং তথা দেবীং কামাখ্যাং কামরূপিনীম্।
নীলশৈল শিবোকোণস্থ মধ্যবিন্দ্যং সমাশ্রিতঃ।
তন্মধ্যে মণ্ডলং চাক্র ত্রিকোণঞ্চ সমন্বিতম্ ॥ ৮৯ ॥
"যোনিমুদ্রাং শিলারূপ শিলাকণা মনোহবা।"
"সিন্দুব কুঙ্কুমাবক্তা সর্ব্বকাম প্রদায়িনী।"

তস্যাং লোনৌ পঞ্চকণা নিত্যং ক্রীড়তি কামিনী।
মহামায়া জগদ্ধাত্রী মূলভূতা সনাতনী ॥২ ॥
তস্যাষ্টৌ যোগিনীশ্চাত্র মূলভূতাঃ সনাতনী ॥।
পূর্ব্বোক্তা ঃ শৈলপুত্র্যাদ্যাঃ স্থিতা দেব্যাঃ সমন্ততঃ
তাসাঞ্চ পীঠনামানি শৃণু চৈকত্র ভৈবব ॥ ৯৩ ॥
গুপ্তকামা চ শ্রীকামা তথাখ্যা বিদ্যবাসিনী।
কোটীশ্বরী বনস্থা তু পাদদুর্গা তথাপরা ॥ ৯৪ ॥
দীর্ঘেশ্বরী ত্রয়োদশ প্রকটা ভুবনেশ্বরী।
অষ্টযোগিন্য পীঠানাঞ্চ খ্যাতা অষ্টৌ চ দেবতাঃ ৯৫॥
সর্ব্বতীর্থানি চৈকত্র জল রূপানি ভৈবব।
স্থিতানি নাত্র সৌভাগ্যসবস্তুরাপি পূজয়া ॥৯৬ ॥

* হাত দুখন দুফালেলে সম্পূর্ণকণে মেলিলে এখন হাতব আঙ্গুলিব আগভাগব পবা আন হাতখনব আঙ্গুলিব আগভাগলৈ দীঘল পবিমাণ। (প্রকৃতিবাদ অভিধান)

সেই ঠাইতে যোগৰূপিনী দুৰ্গা নামে নায়িকা আছে ; এইটো জানিবা। সেই নায়িকা, দেৱগণৰ মাজত নিতৌ সিদ্ধ কামেশ্বৰী নামে জনাজাত। আম্রাতকৰ ওচৰত মোৰ প্ৰীতি বৃদ্ধিৰ নিমিত্তে গঙ্গানদী নিজে তলৰ পৰা উঠিছে, তাৰ পীঠনাম সিদ্ধ-গঙ্গা। পুষ্কৰ ক্ষেত্ৰ, পীঠত আম্রাতক নামে প্ৰসিদ্ধ হৈছে ; আৰু ঈশান কোণত তৎপুৰুষ নামেৰে মোৰ মূৰ অৱস্থিত আছে।

হে ভৈৰব ! সেইটো পীঠত, ভূৱনেশ্বৰ নামে প্ৰসিদ্ধ আৰু ভূৱনেশ্বৰৰ গুহাক ভুবনানন্দ বুলি কয়। তাৰ ওচৰত সুৰভিয়ে, শিলাৰূপে কামধেনু নামে প্ৰসিদ্ধি লাভ কৰি আছে। তেওঁ পীঠত, সকলোৰে কামনা পূৰ্ণ কৰে। মোৰ মধ্যভাগত অতি প্ৰচণ্ড মহাভৈৰৱ নামে যি * শৰভৰ মূৰ্ত্তি আছে, তেওঁ সেই ঠাইত কোটিলিঙ্গ নামে প্ৰসিদ্ধ। মহাগৌৰী নামে সিদ্ধৰূপিনী যি যোগিনী আছে, তেওঁ ব্ৰহ্মপৰ্ব্বতৰ ওপৰত শিলাৰূপে অৱস্থান কৰিছে, আৰু তেওঁ ভুবনেশ্বৰী নামে প্ৰসিদ্ধা।

কামধেনুৰ কিছু দূৰৈত পূৰ্বকালে মহেশ্বৰৰ যোনিৰূপা শ্ৰী কামাখ্যা আছে। চণ্ডিকা নামেৰে যি যোগিনী আছে, সেই সৰ্ব্ব-কাম-শুভপ্ৰদা অগ্নিকোণত থকা বুলি জানিবা। চণ্ডঘণ্টা নামে যোগিনী পীঠত বিন্ধ্যবাঁসিনী বুলি প্ৰসিদ্ধা হৈছে ; আৰু স্কন্দমাতা নামে যোগিনী পীঠত বনবাসিনী নামে প্ৰসিদ্ধা হৈছে। পীঠানুসাৰে কাত্যায়নীৰ "পাদদুৰ্গা" এই নাম হৈছে। সেই শিৱদায়িনী নীলাচলৰ নৈঋত ভাগত আছে। মোৰেই বেলেগমূৰ্ত্তি পাষাণৰ ৰূপধাৰী নন্দী, পীঠানুসাৰে হনুমন্ত নামে প্ৰসিদ্ধ হৈ পশ্চিম দুৱাৰত অৱস্থান কৰিছে। * —ক্ৰমশঃ

। আঠখন ভৰিথকা মৃগবিশেষ (প্ৰকৃতিবাদ অভিধান)

* কালিকা পুৰাণ (৬২ আধ্যা)

মানস প্ৰতিমা

কবিতা—

—এম্ ইক্ৰাম আলি হাজৰিকা

কাৰ ছবি আঁকি মই মানস পটত,
কল্পনা ৰহণ সনা তুলি গছি লৈ,
ফুটাই মিচিকি হাঁহি দুখনি ওঠত
বিপুল আবেগ ভৰে চাওঁ খৰ হৈ।
মধুময় শৰতৰ সন্ধিয়া পৰত
কাৰনো প্ৰতিমা থাপি মনো মন্দিৰত
জনাওঁ আৰতি মোৰ প্ৰেম দীপ জ্বালি :
ফাগুনৰ সুখময় পুৱতি নিশাত,
অচেতন টোপনিত নিমগন হৈ
সপোনত দুবাহুৰে আঁকোৱালি কাক,
ৰঙ পাও দুগালত চুমা দুটি থৈ।
সচিতে সপোনে যাক সাৱটি বুকত
স্বৰগৰ সুখ ভোগ কৰো মৰতত,
তেৱেঁ মোৰ কল্পনাৰ মহান গৰিমা,
হিয়াৰ তেজেৰে ধোৱা মানস প্ৰতিমা।

বিমান পথেৰে বিলাত যাত্ৰা

(৩)

—বীৰু

মোৰ সহযাত্ৰী সকলৰ বেছিৰ ভাগৰেই মুখৰ মদৰ গোন্ধত মোৰ প্ৰাণ ওষ্ঠাগত প্ৰায়। এই ম্লেচ্ছবোৰে



আৰবী ভায়া সকল

জানো সেইবোৰ বুজে ? এইবাৰ পঁচাত্তৰ মাইলৰ ধাক্কা উঠিলোঁ গৈ প্লেনত। বহুত সময় নালাগিল



বিদায় লগ্নত দুই আৰ্য্য

'বছৰা পাওঁতে। ৰাতিৰ খোৱাৰ পালা ইয়াতে ! খোৱা লোৱাৰ পিছতেই আমি ৰওনা হলোঁ। ইয়াৰ পৰা ৮জনমান যাত্ৰী বাঢ়িল। এজনী আৰবী মহিলা, লগত এটি লৰা নে ছোৱালী আৰু এজন আৰবী ভদ্ৰলোক। মহিলাটিৰ কোনোবা হয় বোধ হয় আৰু চাৰিজন 'ডাৰউইন' ভায়া।



কোয়েটা দুৰ্গৰ দুৱাৰ

এইবাৰ বোগদাদৰ বাটত—সেই বোগদাদ সেই পুণ্য শ্লোক খলিফা হাৰুণ-অল্ ৰছিদৰ পুণ্য ৰাজধানী য'ত আৰব্য উপন্যাস তৈয়াৰ হৈছিল। সেই সিন্ধুবাদ বণিকৰ দেশ। এই আৰবৰ পৰাই বাহিৰ হৈছে পৃথিবীৰ দুটা ডাঙৰ ধৰ্ম্ম। দুটাৰ মাজতেই মিহলি আছে ৰঙা তেজৰ দাগ। দুখৰ বিষয়ে এই চহৰখন দিনৰ বেলা দেখিব নাপালোঁ। দুইশ আঠাত্তৰ মাইল অহাৰ পিছত বোগদাদ পালোঁ। ৰাতি তেতিয়া চাৰে এগাৰ।

এতিয়াও একেবাৰে ম্লেচ্ছ হব পৰা নাই। গতিকে গা ধুবলৈ পানীৰ অৰ্ডাৰ কৰিলোঁ, বাগদাদী বৰ ছটফটিয়া লোক। তাৰাতাৰি মোৰ গা ধোৱা পানী ঠিক কৰি দিলে। গা ধোৱাৰ পিছত বেছ ভাল লাগিল।

মোৰ কাণ্ড দেখি বহুতেই অবাক। আমালোকৰ শোৱাৰ ঠাই ছাদৰ ওপৰত কৰিছে। তাত বেছ ঠাণ্ডা। ভাৱিলো ভালেই, হ'ল। বেছ আৰামেৰে শুব পাৰিম। গৈ দেখো—ই আকৌ কি? ইতো বিছনা নহয়—ইয়ে মকড়ুমি! বিছনা জাৰি জোকাৰি শুৱাতে শুৱাতে বাজি গ'ল—এটা। তাৰ পিছত লেপখন গললৈকে গুজি লৈ চকু মুদিলোঁ।



বোগদাদ নগৰৰ সাধাৰণ দৃশ্য

টোপনি ভাংকৈ জমি উঠিছিল মাত্ৰ এনেতে উকি পৰিল উঠিবলৈ। তেতিয়া আঠে বাজিছে। মোৰ এটা বেয়া অভ্যাস আছে টোপনিৰ পৰা উঠিলেই শৌচ কৰিব যাব লাগে। তললৈ আহি দেখো কলত এক টোপাও পানী নাই। ইফালে বহুতৰেই এই দশা। মহা গোল মাল লাগি পৰিল। সকলোতকৈ বেছি মঞ্চেই চিঞৰিছিলোঁ। কাৰণ পানী নহলে মোৰ নচলে। মনে প্ৰাণে হিন্দু এতিয়াও।

বহুত সময়ৰ মূৰত এক বালটি পানী পালোঁ। তাৰাতাৰি গা-পা ধুই ললোঁ কোনোৰকমে। এই খিনিয়েই বা পোৱা যায় কৰপৰা? আমালোক ভ এজনত বাহিৰে বাকী সকলোৱে বাহিমুখে বৰ লগা হ'ল।

ঢলপুৱা প্ৰায় চাৰিটাৰ সময়ত আমালোকে বোগদাদ এৰিলোঁ। চহৰ খন পিছত বৈ অহা কাৰণে ভালকৈ দেখা নাপালোঁ। আৰু টোপনি যাব নোৱাৰাৰ কাৰণেই মনটোও ভাল নাছিল।

এইবাৰ যীশুখ্ষ্টৰ জন্মভূমি প্যালেষ্টাইনৰ বাটত ছিৰিয়াৰ মৰুৰ ওপৰেদি যাব লাগিছো। আমালোকে লাহে লাহে ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিলোঁ। চোতাল ভৰি উঠা বোদ বালিৰ ওপৰত, আমালোকৰ প্লেনৰ ছায়া পৰি বেছ সুন্দৰ দেখুৱাইছিল। মৰুসাগৰৰ ওচৰ পৰা চাৰে চাৰি কি পাঁচ হাজাৰৰ ফিটৰ ভিতৰত প্লেনখন চলিবলৈ ধৰিলে। বেছ আৰাম লাগিল ঠাণ্ডা বতাহ পাই। এয়ে সেই Dead sea—সক কালত যাৰ নাম চিক্ৰবি চিঞৰি মুখস্থ কৰিছিলোঁ। ইয়াৰ চাৰিও ফালে বৰ ওখ ওখ শুকান পাহাড়। পানী ঠিক শুকাহৰ নীল আকাশ যেন দেখি। মই হঠাৎ চাই অলপ বোৰাই সাজিছিলোঁ। কিছুমান ডোমে মাছ ধৰিছিল। সিইতৰ

ৰঙা পালত সূৰ্য্যৰ বশ্মি পৰি দেখুৱাইছিল—ঠিক যেন নীল আকাশৰ ডাঙৰ জলমলিয়া তৰা।

ভৰপৰীয়া আহি পালোঁ গাজাত। বোগদাদৰ পৰা ছয় শ তিনি মাইল। পশ্চিমৰ পৰা হু হু কৈ বতাহ আহিছে 'মেডিগুৰী'ৰ (Maditerranean বা ভূমধ্য সাগৰ)। কিন্তু বতাহ আহিলে কি হব?—যি গৰম সেই গৰমেই। জাত বাচি খোৱাৰ কাৰণে মোৰ ভাগত বেছি একো নপৰিল। আলু, মটৰৰ ছেই, শাক আৰু ডিঙ। ইয়াতে কষ্ট একো নহল। আমালোক ইয়াতে থাকোতেই ফৰাচী ডাক আহি পৰিল। আমালোকৰ প্লেন খনতকৈ অলপ সৰু। মই ক্যামেৰাটো লৈ ছবি ললোঁ। তাত কেইজন মান যাত্ৰীও আছিল। এইবাৰ সিইতৰ ৰৰৰ পালা।

আমি উঠিলো, মিচৰৰ বাটত ক্যায়ৰো উদ্দেশি। যি মিচৰৰ কথাত মুগ্ধ হৈ এদিন সমস্ত পৃথিৱী টল-মল কৰিছিল, তলি পোৱা নাই, ভাৰত আৰু চীনৰ সভ্যতাৰ লগত অৱিয়া অৰি কৰি চলিছিল যি মিচৰ, সোনৰ থলি



ফৰাচী প্লেন

এতিয়াও যাৰ মাটিৰ তলত পাশ্চাত্যৰ লোলুপ দৃষ্টি পৰি আছে যাৰ ওপৰত, যাৰ লাগিছো সেই মিচৰলৈ।



৭১ বোগদাদৰ বিমান পোত

ক্লিয়োপেট্ৰা যি দেশৰ ৰাণী আছিল, যি দেশত তৈয়াৰ হৈছিল নমি, পিৰামিড, আজিও আধুনিক বিজ্ঞানে যাৰ আবেলি আহি পালো ক্যায়ৰো। আমালোকৰ বাবে মটৰ হাজিৰ আছিল। কাষ্টম অফিছৰ কাম হোৱাৰ

পিছত আমালোকে গাৰীত গৈ উঠিলো। ৰওনা হলো হোটেল মুখে। আজি ৰাতি ইয়াতে কটাব লাগিব। বাছৰ ভিতৰত আমালোকৰ প্ৰত্যেককে এই মৰ্ম্মৰ একোখনকৈ কাৰ্ড দিলে।



কেইৰো নগৰৰ সাধাৰণ দৃশ্য

Imperial Air Ways
Station Cairo
Arrangements for the 11th August 1934

Yon will be called at 0303 and your baggage should be out side your room at 0335. Currency coupons will be cashed at £24. The car will leave the Hotel at 0355. The air liner will leave the airpost at 0415 hours to morrow and stops will be made at Alexandria, Crete, Athen and Brindisi. Meals on to morrow's journey will be served as shown. Break fast in the air. lunch in the air, tea in the air. dinner in Brindisi. Mr A. C. Barther the Company's representative will give to you any farther information or assistance you may need during your stay at this station.

পুৱা তিন বজাত উঠিব লাগিব দেখি মনটো খাৰাপ হৈ গ'ল। অন্য উপায়ে নাই। এই এটা কথা—আমালোকৰ পলমৰ বাবে বাহাদুৰি দিব লাগে চালকক। ইয়াৰ ভিতৰতে আধাৰও বেছি আগুৱাই লৈছে। গাড়ী আহি থামিল 'কন্টিনেণ্টেল সেভয় হোটেল, কায়ৰো' মোৰ কোঠালিৰ নম্বৰ হল ১৬। তাৰাতাৰি লৰি গলো মোৰ কোঠালিৰ ফালে। ঘৰত সোমাই বিদেশী কাপোৰ এৰি গোছলখানাত সোমালোঁ। যথেষ্ট পানী পাই খুব আৰাম কৰি গা ধুলোঁ।

তাৰ পিছত কাপোৰ কানি পিন্ধি ওলাই পৰিলোঁ। ৰাস্তাৰ কাষত অলপ ওখ হোটেলৰ মুকলি বাৰন্দাত খাবৰ ঠাই। অলপ নতুন নতুন লাগিল। তেতিয়াও খাবৰ সময় হোৱা নাছিল। এটা কোণত বহি জনকোলাহল মুখৰিত ৰাস্তাৰ ফালে চাই আছোঁ। হঠাৎ দেখিলোঁ আমালোকৰ দেশৰ বৰণ। দুই তিন জন। তেওঁলোকেও বিশেষকৈ মোকেই দেখিছে। মনটো উতলি উঠিল কথা পাতিবলৈ। বেছি সময় থাকিব নালাগিল। এজনে নিজেই আহি মোক সুধিলে—"আপুনি কি সিংহলী?"

উত্তৰ দিলোঁ—"কি কক চোন? মোক সিংহলী বুলি ভাবিবৰ মানে কি?" ভদ্ৰলোক অলপ অপ্ৰস্তুত হ'ল। কলে "ক্ষমা কৰিব ডাঙৰীয়া! মানে আপোনাৰ নিচিনা এজন লোক সিংহলত দেখিছিলোঁ। আপুনি জানো কেতিয়াবা তালৈ গৈছিল?" "এতিয়ালৈকে যোৱা নাই" কিন্তু মোৰ চেহাৰা দেখি ভুল কৰা একো আচৰিত নহয়। মই কেবা বাৰো বহুতৰ ভ্ৰমদৃষ্টিত পৰিছিলোঁ।



কেইৰো—(ইজিপ্ট) চিৰপচ পিৰামিডৰ পৰা দেখা গৈছে

সিংহলী ভদ্ৰলোকজনৰ লগত কিছু সময় কথা বাৰ্ত্তা পাতিলোঁ। সিংহলীয়ে কলে—"আমালোকৰ এই হোটেলত এখন অলঙ্কাৰৰ দোকান আছে। বলক চাব। খোৱাৰ সময় তেতিয়াও হোৱা নাই। গলোঁ দোকান চাবলৈ। এজোৰ হাতৰ বোতাম কিনিলোঁ ইয়ালৈ আহাৰ পিছত মই জানিলোঁ টকাবোৰ মই পানীতহে পেলালোঁ। এনেকুৱা ঠগ এতিয়ালৈকে খোৱা নাই। সেই কাৰণে অইনক মই সাৱধান হবলৈ কওঁ। তেওঁলোকে যেন কেতিয়াও এইবোৰ হোটেলৰ দোকানৰ পৰা কোনো বস্তু নিকিনে। ইহঁতৰ কাম হৈছে সহজ সৰল মানুহ দেখিলেই ঠগায়। যিসকলে কিনে তেওঁলোকে যেন দেখি শুনি কিনে।

দোকানত ঠিক হল, খোৱাৰ পিছত পিৰামিড দেখিবলৈ যাম। তাৰ পিছত এই দেশৰ কোনো এটা থিয়েটাৰলৈ। ভদ্ৰলোক জনক কৈ থলোঁ এখন টেকচি মটৰ ঠিক কৰি ৰাখিবলৈ।

খোৱাৰ পিছত ৰওনা হলো। লগৰী হল এজন সিংহলী। আমি পিৰামিড দেখিবলৈ গলো এক পাউণ্ড দি (ইয়াতো ঠগিছো মোৰ মনৰ বোধ) ভাড়া কৰি থোৱা টেকচি এখনেৰে। ফৰাচী দেশৰ কথা মোৰ আগতেই অলপ অলপ শুনা আছিল। ইয়াতো তেনেকুৱাই দেখিলোঁ। দুফালে ফুটপাথৰ ওপৰত মুকলি খোৱা ঠাই। নেপোলিয়ানে সৌ কোন কেতিয়াই মিচৰ দখল কৰিছিল আজিও সেই হাবভাব মিচৰৰ মানুহে এৰিবলৈ পৰা নাই। এতিয়ালৈকে মই নাজানো যে মিচৰ স্বাধীন নে অধীন কিন্তু দেখি মোৰ এনে ভাব হৈছে—ইহঁত যেন কাৰবাৰ তলত পৰি আছে, ঠিক

আমালোকৰ নিচিনাই যেন ভালকৈ উশাহ লব পৰা নাই। সকলো সময়তে যেন গধুৰ বতাহ বৰ লাগিছে। পৰাধীন আৰু স্বাধীনৰ চিন্তা বহুত সময়লৈকে কবিও যেতিয়া একো বুজি নাপালো তেতিয়া বাধ্য হৈ সিংহলীক সুধিলো—"মিচৰ স্বাধীন নে?" সিংহলীয়ে চকুটা ডাঙৰ কৰি উত্তৰ দিলে—"নিশ্চই স্বাধীন."

মই আৰু সেই বিষয় প্ৰশ্ন কৰিবলৈ সাহ নাপালো বজা আছে নে 'বিপাবলিক' এই কথাটো সুধিলোঁ। উত্তৰত জানিলোঁ চুলতান ফুৱাদ হৈছে মিচৰেশ্বৰ। পিছতহে জানিব পাৰিলোঁ মিচৰ খোলে ইংৰাজৰ Zone of Influence.

পিৰামিডৰ ফালে যাব লাগিছিল। এইফালটো যদিও চহৰৰ ভিতৰত তথাপি মুকলি মুকলি। ফুফালে বাস্তা মাজেদি ট্ৰাম লাইন। ঠিক আমালোকৰ কলিকতাৰ বাসবিহাৰী এভিনিউৰ নিচিনা। কিন্তু চাকিবোৰ ইয়াৰ পৰিষ্কাৰ আৰু ঘন ঘন।

পিৰামিড আহি পালোঁ, অন্ধকাৰৰ কাৰণে চাৰিওফালে ঘুৰি দেখিব নাপালোঁ। পিৰামিডৰ কাষতেই চুলতান ফুয়াদৰ এটি ঘৰ। চিপাহী ঘুৰি ঘুৰি পহৰা দি আছে।

এই পিৰামিড কিমান হাজাৰ বছৰ ধৰি এই ভাবে থিয় হৈ আছে কোনে জানে? কাৰ স্মৃতি বাবিবৰ কাৰণে তাৰ ওপৰত এই পাহাৰ সজা হৈছে নাজানো। মাটিৰ দেহৰ লগত কিমান হীৰা জহৰৎ গোতখাই আছে তাৰ ইয়ত্তা নাই। এহেতো জীৱনৰ পৰিণাম। পঞ্চভূতৰ দেহ আকৌ পঞ্চভূততেই মিলিব। কি হব ইয়াক ভাল পাই? কি হব ইয়াৰ যত্ন কৰি? ইতো নাথাকে? এক মুহূৰ্ত্তত সকলো শেষ কৰি দি গুচি যাব। সেই কাৰণেইতো আমালোকৰ ধৰ্ম্মত শ্ৰীভগবানে কৈছে 'কাজ কৰা মিথ্যাকে থাকিব।' ঈশ্বৰক ধন্য বাদ যে মই সেই প্ৰাচীন ধৰ্ম্মত সেই প্ৰাচীন দেশত জন্ম লৈছো। মন্ত কৈছে "মাকুৰু ধন জন যৌবন গৰ্ব্বং।"

পিৰামিড চাই মহম্মদ ভায়া (সিংহলী ভদ্ৰলোক জনৰ নাম এম, ওৱাই, মহম্মদ) মোক লৈ মেনা হাউচ হোটেললৈ গ'ল। আমি তাত থাকোঁ এগিলাছ কৈ লিমোনেড নতুন পৰিচয়ৰ স্মৃতিৰ স্বৰূপ।

তাৰ পিছত ঘুৰি ঘুৰি হোটেলটো দেখিলো। ভাল লাগিল 'স্মাইমিং পুলটো' সকলোতকৈ। তেতিয়াও বহুতে গা ধুই আছিল। হোটেল চোৰাৰ পিছত বওনা হলো পিৰেটাৰ চাবলৈ। আধা বাটৌ যৈ পোৱা নাই এনেতে মটবখন অচল হৈ গ'ল। মই প্ৰমাদ গনিলো, এতিয়া গাৰী বনে সকলো মাটি কৰে। বৰাত ভাল, গাৰীৰ কাযতে কেইজনমান সক লৰা ঘুৰি আছিল। সিহঁতৰ এজনক কলো গাড়ী এখন মাতি দিবলৈ। কথাকোৱাত লগে লগেই সকলোকেইটাই লৰ দিলে। আমালোকৰ সাবধীৰ মুখখন কলা পৰিল। দেখি অলপ মৰম লাগিল, কলো—"কি কৰিম! তোমাৰ ভাগ্য মন্দ! তথাপি গাৰী অহাৰ আগতেই যদি ভাল কৰিব পাৰা চেষ্টা কৰি চোৱা, নহলে তোমাৰ টকা মৰা পৰিব?" বেচাৰা কলা পাৰি উত্তৰ দিলে—"নহব এতিয়া, আপোনালোকে সেই গাৰীতেই যাওক। কিন্তু মই থিয়েটাৰৰ পৰা হোটেললৈ নিম।" গাৰী আহি পালে। আমালোকে উঠি পাৰিলো। চালকক জোৰে চলাবলৈ কলো। অলপ সময়ৰ ভিতৰত আমালোকক ঠিক ঠাইত পোৱাই দিলে। ভাড়া দিলে সিংহলী ভায়া। লিমোনেড খোৱাৰ পৰা হোটেল আহি নোপোৱাকৈ মোক আৰু এটা পইছাও খৰচ কৰিবলৈ দিয়া নাছিল।

সুন্দৰ এই দেশখন, দিনত যেনেকুৱা গৰম ৰাতি আকৌ তাৰ উল্টা। কিন্তু পানী টানি লাগিবৰ ভয় নাই। টিকিট কিনি ভিতৰলৈ সোমালোঁ। আগত হলো ভিতৰৰ ব্যৱস্থা দেখি অকল ষ্ট্ৰেজ খনত বাহিৰে আৰু সকলোফালে মুকলি। একেবাৰে নীল আকাশৰ চন্দ্ৰাতপৰ তলত। এখন কৈ টেবিল আৰু তাৰ চাৰিওফালে চাৰি পাঁচ খন কৈ চেয়াৰ। এইবোৰ দৰ্শকবিলাকৰ বহিবৰ ঠাই। মানে দেখাৰ লগে লগে থাবও পাৰি ইচ্ছা কৰিলে। এই, 'চিট' বোৰ হৈছে মাটিৰ ওপৰত। আৰু কিছুমান হৈছে বাৰান্দাত। অলপ ওপৰ পৰা দেখা যায়। চাৰিওফালে দেৱাল। এটা সুবিধা যে ইয়াত বতাহ বৰষুণৰ বেছি ভয় নাই।

মোৰ আৰু সিংহলী ভায়াৰ মুখিল হৈছে। কোনেও সিংহলী ভাষা নাজানো। ভাব ভঙ্গিত যি বুজিব পাৰোঁ।

ষ্টেইজৰ ওপৰত লিখা আছে 'বাদিয়া মাচাবনি' (Badia Massabni) সিংহলী ভায়াক সুধিলো—"ইয়াৰ মানে কি?" কলে "বাদিয়া হৈছে নৰ্ত্তকীৰ নাম। যাব নাচ দেখিম। আৰু মাচাবনি হৈছে থিয়েটাৰ."

বাদিয়াৰ নাচ মোৰ খুব ভাল লাগিল। যদিও নাচৰ মাজত পাশ্চাত্যৰ হাব ভাব বেছি পৰিমাণৰ। সকলোতকৈ ভাল লাগিল মোৰ গানৰ সুৰবোৰ। কিছুমান সুৰ বহুত গুণে আমালোকৰ ভৈৰবীৰ নিচিনা। গানৰ কথা বোৰ যি কাণত আহিছিল তাত এই ধৰণৰ শব্দ শুনিব পালোঁ।

"ইয়ে মাখলা হোম,
চুপাবি ওম।"

এজন মানুহে ডলাত কৈ কিবা লৈ "অমথলেটাছ অমথলেটাছ" বুলি চিঞৰি ফুবিছিল। মাতি আনি দেখিলো—চকুলেট।

ৰাতি ১২টাৰ সময়ত 'মাচাবনিৰ' পৰা ফিবিলো। সিংহলী ভায়া মোৰ পকেটত থকা মিঠা তামোখল খাই মজি গৈছে। হোটেললৈ আহিয়েই স্মৃতি স্বৰূপ এক কৌটা উপহাৰ দিলো। হোটেলৰ কৰ্ম্মচাৰীক কৈ থলো মোক যেন ছটাৰ সময়ত জগাই দিয়া হয়। সিংহলী বিদায় লৈ গ'ল। ময়ো কাপোৰ সোলোকাই বিছনাত দীঘল দিলোঁ।

কাৰ জানো দুটা অল মলিয়া চকু মোৰ ফালে লাহে লাহে আগুৱাই আহিব ধৰিলে। উঃ কি ভীষণ অৱস্থাত পৰিছিলো। নোৱাবো আগুৱাব, নোৱাবো পিছুৱাব। তাৰ পিছত সেই ভয়ঙ্কৰ চেহাৰাৰ মানুহজনে আচবিত মাতেৰে মোক কলে তোমাৰ যোৱাৰ সময় হৈছে। মই লাফ দি উঠি পৰিলো। দেখিলো মোৰ ওৰে গাৰ পৰা



নেনৰ তলত আমি

জৱ জৱ কৈ ঘাম পৰিব লাগিছে! উঃ কি ভীষণ সপোন! তাৰাতাৰি উঠিবৰ চিন্তা লৈ ঘুমালে এনেকুৱা বিপদত প্ৰায়েই পৰিব লাগে। লৰা লৰিকৈ পুৱাই কাজ শেষ কৰি কাপোৰ পিন্ধি তললৈ নামি আহিলো। তেতিয়াও কোনেও অহা নাই চাহ খাবলৈ। মই গৈ বহিলে খোৱা বৰত। চাহ মই নাখাওঁ কেইবন মান বিস্কুট খোৱাৰ পিছত (ছোদা) আনিবনৈ কলো। এজন এজনকৈ সকলোৱে খাই নিলে।

—আগলৈ—



সংবক্ষিণী সভাৰ মঙ্গলদৈত বহা বিশেষ অধিবেশনৰ সভাপতিৰ অভিভাষণ

—শ্ৰীযুত প্ৰমথ নাথ চক্ৰবৰ্ত্তী বি-এল

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, উপস্থিত ভদ্ৰমণ্ডলী আৰু অসম মাতৃগণ,

আপোনালোকে মোৰ নিচিনা এজন অভাজনক এই মহতী সভাৰ সভাপতি পদত বৰণ কৰি মোক যি গৌৰৱেৰে গৌৰবান্বিত কৰিছে, তাক বহলাই কবৰ মোৰ ভাষা নাই। মই জানো, মোৰ এই মহা যজ্ঞৰ পৌৰোহিত্য কৰিবৰ পাৰগতা নাই। মই জানো, মোতকৈ সৰ্ব্বতোভাৱে উপযুক্ত আৰু সৰ্ব্ববিধ গুণত শ্ৰেষ্ঠ এই মহা যজ্ঞত পৌৰোহিত্য কৰিবৰ বহুতো ব্যক্তি এই সভামণ্ডপত আছে তথাপি আপোনালোকৰ গণদেৱতা সকলৰ মৰমিয়াল আহ্বান আৰু মোৰ, ক্ষুদ্ৰ শক্তিৰে কাম কৰিবৰ প্ৰবল ইচ্ছাই মোক এই গৌৰৱময় দায়িত্বপূৰ্ণ কাম কৰিবলৈ আগ বঢ়াই আনিছে। মই জানো, এই মহাযজ্ঞৰ পৌৰোহিত্য কৰোঁতে মোৰ হেজাৰ হেজাৰ ত্ৰুটী আৰু অপৰাধ হব, কিন্তু আপোনালোকৰ মোৰ অনুপযুক্ততা আৰু অনভিজ্ঞতা জুয়ৈলৈকে চাই মোৰ সকলো অপৰাধ, সকলো ত্ৰুটী সকলো ভ্ৰান্তি মাৰ্জ্জনা কৰিবলৈ অনুৰোধ জনালোঁ। আশা কৰো মোক বিফল মনোৰথ নকৰে।

আজি জগত ব্যাপী যি আন্দোলনে ঘাত প্ৰতিঘাত কৰিছে, যি আন্দোলনৰ প্ৰবাহ প্ৰতি দেশৰ, প্ৰতি জাতিৰ মাজেদি উদ্বেলিত হৈছে, যি আন্দোলনৰ কম্পনৰ অনুভূতিয়ে অসম আইৰ পদস্পৰ্শ কৰিছে, আজি ধুবৰীৰ পৰা সদিয়ালৈকে সমগ্ৰ অসমীয়াই যি নৱজাগৰণৰ অনুভূতি অন্তৰত উপলব্ধি কৰিছে, আজি ধুবৰীৰ বিপদেই সদিয়াৰ বিপদ, ধুবৰীৰ উন্নতিয়েই সদিয়াৰ উন্নতি বুলি প্ৰতি অসমীয়াই ভাবিব শিকিছে, তাৰ মূলত সংবক্ষিণী সভাৰ কৰ্ম্ম কুশলতা আৰু কৰ্ম্ম প্ৰৱণতা। প্ৰতি অসমীয়াই আজি ভাবিব শিকিছে আমি অসমীয়াহে আজি অসমীয়াই নিজক অসমীয়া বুলি কওঁতে, নিজক অসমীয়া বুলি পৰিচয় দিওঁতে লাজ নাপায়। আজি অসমীয়াৰ কানিব মোহ শনৈঃ শনৈঃ অপহৰণ হৈছে। আজি অসমীয়াই অলসতাৰ গাত ভবিবে গুৰি মাৰি উন্নতিৰ বাটত অগ্ৰসৰ হবলৈ গা জোকাবিছে। আজি অসমীয়াৰ জাতীয় বোধ বিস্তৃতি সমুদ্ৰৰ পৰা উঠি আহিছে। ইয়াৰ মূলত সংবক্ষিণী সভাৰ কৰ্ম্ম প্ৰবাহৰ মঙ্গল প্ৰভাৱ। অসমীয়া সংবক্ষিণী সভাৰ কৰ্ণধাৰ শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰী ডাঙৰীয়াই আজি দহ বছৰে নিজৰ স্বাৰ্থক বলিদান দি অসম মাতৃৰ নিমিত্তে, অসমীয়া জাতিৰ নিমিত্তে মাতৃপূজাৰ যি স্বৰ্ণ বেদী প্ৰস্তুত কবিছে, সেই বেদীত অসম আইৰ মহিমান্বিত মূৰ্ত্তি স্থাপন কৰিবলৈ তাৰ তলত ধুবৰীৰ পৰা সদিয়ালৈকে গোটেইখন অসম উপত্যকাৰ অসমীয়া জাতিৰ প্ৰতিনিধি সকলক এই মঙ্গলদৈত সমগ্ৰ অসমীয়া জাতিৰ মঙ্গল চিন্তা কৰিবৰ নিমিত্তে গোট খোৱা দেখি মোৰ মনত এই আশাৰ সঞ্চাৰ হৈছে যে অসমৰ পুৰণি গৌৰৱ ভাস্কৰ পুনৰুদ্ভাসিত হব, অসমীয়া জাতিয়ে নবোদ্ভাসিত আদিত্যালোকত আপোন কৰ্ম্মক্ষেত্ৰ বাছি লব, অসমীয়া সংবক্ষিণী সভাই ধুবৰীৰ পৰা সদিয়ালৈকে সমগ্ৰ অসমীয়া জাতিৰ একতা বন্ধন দৃঢ় কৰি শক্তিশালী অসমীয়া জাতি গঠনত ভাস্কৰৰ কাম কৰিব। অসমীয়া জাতিয়ে সংবক্ষিণী সভাৰ ওচৰত এইবাবে কৃতজ্ঞ।

অসমীয়াৰ উন্নতিৰ বাটত যিবিলাক সমস্যাই এটাৰ পৰা এটা কৰি উঠি যিবিনি উৎপাদন কৰিছে, তাৰ ভিতৰত শ্ৰীহট্ট সমস্যাই এটা ঘাই সমস্যা। শ্ৰীহট্টই অসম উপত্যকাৰ অৰ্থেৰে অসমৰ ক্ষয় সাধন কৰি নিজৰ পবিপুষ্টি সাধন কবিছে। এটা জাতি গঠন কবিবলৈ একেটা ভাষা, একেটা আদর্শ একেটা কালচাৰ আৰু একেটা সমাজ বন্ধন থাকিব লাগে। প্ৰাচীন কামৰূপৰ অন্তর্ভুক্ত কোচবিহাৰ জলপাইগুৰি বংপুৰ আদিৰ কথা নকওঁ, ধুবৰীৰ পৰা সদিয়ালৈকে একেটা কালচাৰ একেটা ভাষা আৰু একেটা সমাজ বন্ধনেবে গঁথা আছে। শ্ৰীহট্টবাসীয়ে অসমত সোমাই সেই সূত্ৰ ছিন্ন কবি অসমীয়াৰ জীৰ্ণতা আনিছে। শ্ৰীহট্ট কালচাবত ভাষাত আৰু সমাজ বন্ধনত অসমৰ পৰা সম্পূর্ণ বেলেগ। দুয়োবো ভিতবত সামঞ্জস্য চিন একো নাই। এনে স্থলত বিভিন্ন ভাষা ভাষী, বিভিন্ন কালচাৰ সম্পন্ন শ্ৰীহট্ট আৰু অসম এটা বাষ্ট্ৰ তন্ত্ৰৰ ভিতবত থকাত এফালে যেনেকৈ অসমীয়াৰ উন্নতিৰ বাটত বিঘিনি উৎপাদিত হৈছে, আন ফালেও তেনেকৈ শ্ৰীহট্টবাসীৰ বঙ্গদেশৰ লগত লগা স্বভাৱজ প্ৰবল ইচ্ছাই বাধা পোৱাত শ্ৰীহট্টবাসীৰ মনত অসম্ভুষ্টৰ বীজ উপ্ত হৈছে। শ্ৰীহট্ট জিলাগনক অসম উপত্যকাৰ পৰা বেলেগ কবি নি বঙ্গ ভুক্ত কবিলে, এক ফালে যেনেকৈ শ্ৰীহট্টবাসীয়ে আপোন ভাই ককাযেকৰ লগত পুনৰ্ম্মিলিত হৈ আপোন প্ৰতিভা পবিস্ফুবণৰ বাবে সুবিধাব বহল ঠাই পাব, আনফালে তেনেকৈ ধুবৰীৰ পৰা সদিয়ালৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত থকা লোক সকলে তাৰ ওচৰত থকা পৰ্ব্বতীয়া আৰু তলত থকা আন আন জাতি সমূহৰ লগত মিলি জুলি অসমীয়া জাতি সংগঠনৰ যাবা অসমৰ আৰিক সামাজিক আৰু বাষ্ট্ৰীয় উন্নতি সাধন কবিবলৈ সক্ষম হব।

শ্ৰীহট্টৰ পবিপুষ্টিৰ বাবে অসমৰ যিখিনি বাজস্ব বায় হয়, সিখিনি বাজস্ব অসমৰ নিমিত্তে বয় হলে আমি অসমৰ উন্নতিৰ বাবে বহুতো লাগতিয়াল পবি থকা কাম হাতত লব পাবিলোঁহেঁতেন। ভাল কবি গমি চালে দেখা যায়, শ্ৰীহট্ট অসমৰ পৰা বেলেগ হলে অসমীয়া মুছলমানবো একো ক্ষতি নহব ববং চাবিওফালে লাভব সম্ভবনাহে বেছি। শ্ৰীহট্ট অসমৰ পৰা বেলেগ হলে অসমীয়া মুছলমান সম্প্ৰদায়ৰ বাষ্ট্ৰ পবিচালনাত, চাকবিত, স্থানীয় বায়ত্বশাসন সম্ভাত ভাবতীয় বায়ত্বশাসক সভাত আৰু বাষ্ট্ৰ চক্ৰৰ আন আন ঠাইত যি আধিপত্য আৰু হাত থাকিব অসম শ্ৰীহট্টৰ লগত থাকিলে সি থাকিব নোৱাবে। সেইবাবে অসমীয়া মুছলমান সকলে শ্ৰীহট্টৰ বঙ্গ ভুক্তিৰ বিবোধ মত পবিপোষণ কবা যুগুত নহয়। আহক, অসমীয়া ভাই ভনী সকল! আমি বিধি সঙ্গত আন্দোলনবে অসমীয়া জাতিৰ বিপ্ৰোটক শ্ৰীহট্টক অসমৰ পৰা বেলেগ কবি সৰল আৰু গবিয়ান অসমীয়া জাতি সংগঠন কৰোঁহক।

শ্ৰীহট্ট ছেদৰ ংগে লগে, আন আন প্ৰদেশৰ যিবিলাক লোক অসমত আছি স্থায়ী ভাবে বাস কবি আছে সি বিলাকৰ কথা ইয়াত নকলে মোৰ কব লগীয়া কথাব বহুতো অপুবণ থাকিব। যিবিলাক আন প্ৰদেশৰ লোক অসমত আছি স্থায়ী ভাবে ঘৰ সজাই অসমক মাতৃভূমি কবি অসমীয়াৰ লগত এক হৈ ৰব খোজে, তেওঁলোককে আমি বুকৰ মাজত টানি আনি আমাৰ বলাধান কবাটো যুগুত। যি বিলাক মানুহ আন আন প্ৰদেশৰ পৰা আহি অসমত নিগাজী হৈ কাম কবিছে, অসমৰ শ্ৰীবৃদ্ধি কবিছে, সি বিলাক অসম আইৰ এটা লাগতিয়াল অঙ্গ। অসমীয়াৰ জাতীয় স্বাৰ্থৰ লগত তেওঁলোকৰ স্বাৰ্থ একেবাবে জড়িত হৈ পবিছে। তেওঁলোকক সামবি নোলোৱাকৈ, তেওঁ লোকৰ উন্নতিৰ ফালে আওকাণ কবি অসমীয়া জাতিৰ বলাধান সম্ভৱ নহব। বৰ্ত্তমান 'ইমিগ্ৰেণ্টচ' আৰু চাহ বাগিচাৰ বন্ধুয়া বিলাকক মই এই পৰ্য্যায়ত পেলাব খোজো। তেওঁ লোকক সৰ্ব্বতোভাৱে অসমীয়া কবি বুকত টানি লব লাগিব।

আৰু যিবিলাক অসম প্ৰবাসীয়ে অসমত স্থায়ীভাবে বসতি কবি অসমীয়াৰ বিপুল তেজেবে নিজৰ পবিপুষ্ট কবি অসমীয়াৰ হিত নকবি অহিত কবি, অসমীয়াৰ লগত এক স্বাৰ্থ সম্পন্ন হৈ মিলি জুলি নাথাকি অসমীয়াৰ জাতীয় স্বাৰ্থৰ বিৰুদ্ধে আন্দোলন চলাইছে, অসমীয়াৰ উন্নতিৰ বাট কণ্টকাকীর্ণ কবিছে, যিবিলাকক আপোনাৰ কবি টানিলেও অসমীয়াৰ পৰা বেলেগ হৈ থাকিব খোজে, অসমীয়াৰ জাতীয় স্বাৰ্থক তুচ্ছ তাচ্ছিল্য কবি আছে, তেওঁলোকৰ আন্দোলনব বিৰুদ্ধে সমগ্ৰ অসমীয়া জাতিয়ে

এক হৈ দৃঢ় হৈ থাকিব লাগিব। তেওঁলোক লেখত এক হলেও, তেওঁলোকৰ অন্যায় আক্ৰমণৰ পৰা অসমীয়া জাতিয়ে জীয়াই থাকিবলৈ হলে, ধুবৰীৰ পৰা সদিয়ালৈকে গোটেইখন অসম সৰ্ব্বতোভাৱে অসমীয়া হৈ এক হৈ থিয় দিব লাগিব।

অসমৰ ওচৰত 'ডমিচাইল্ড' সমস্যাটো দিনক দিনে জটীল হৈ আহিছে। 'ডমিচাইল্ড'ৰ ভিতৰত যি সকলে অসমক নিজ মাতৃভূমি বুলি ধৰি অসমৰ উন্নতিৰ বাবে খাটিছে, আমি তেওঁলোকক অসমীয়া জাতিৰ বলাধানৰ বাবে স্বাগতম কৰি লব খোজোঁ। কিন্তু যি সকলে অসমৰ ৰসৰ দ্বাৰা নিজৰ আৰু নিজৰ লৰা ছোৱালীৰ পৰিপুষ্টিতেই সন্তুষ্ট নহৈ, নিজ নিজ প্ৰদেশৰ পৰা তেওঁলোকৰ দূৰ সম্পৰ্কীয়বিলাকক অসমলৈ আনি আৰু যেন তেন প্ৰকাৰেন 'ডমিচাইল্ড' চাৰ্টিফিকেট লৈ অসমীয়াৰ বহুতো ক্ষতি সাধন কৰিছে, তেওঁলোকক আমি গৰিহনা দিওঁ।

চৰকাৰে দিয়া অসমত 'ডমিচাইল্ড' সংজ্ঞা এনে বহল আৰু গোলমাল পূৰ্ণ যে তাৰ মাজেদি আন প্ৰদেশবাসীয়ে অবিৰল 'ডমিচাইল্ড' চাৰ্টিফিকেট লাভ কৰি অসমীয়াৰ স্বাৰ্থ হৰণ কৰি আছে। অসমত 'ডমিচাইল্ড' সংজ্ঞাৰ পৰিবৰ্ত্তন নহলে অসমীয়া জাতিৰ নাম লুপ্ত হৈ অসমত 'ডমিচাইল্ড' জাতিহে ৰব গৈ। চাৰিও ফালৰ পৰা মনুষ্য প্ৰবাহ উজাই আহি অসমৰ অস্তিত্বৰ ভেটিত আঘাত কৰিছে। ওচৰ চুবুৰীয়া কোচবিহাৰ ৰাজ্যত, যি ৰাজ্য পুৰণি কামৰূপৰ অন্তৰ্গত আছিল তাত অন্য বাহিৰৰ লোক তিনি পুৰুষৰ পাছতহে কোচ-বিহাৰী হব পাৰে, তাত 'ডমিচাইল্ড' বুলি এটা সংজ্ঞা নাই। মোৰ মতে অসমতো এনে হব লাগে। 'ডমিচাইল্ড' সংজ্ঞাটো গুছাই, কোচ বিহাৰ ৰাজ্যৰ দৰে আন প্ৰদেশৰ লোক তিনি পুৰুষ অসমত স্থায়ী ভাবে বাস কৰাৰ পাছতেই অসমীয়া হৈ যাব 'ডমিচাইল্ড' নহব। 'ডমিচাইল্ড' কথাটোৰ প্ৰচলন থকাত আন প্ৰদেশৰ পৰা আহি অসমত নিগাজীকৈ থকা মানুহ সকলৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰি থকা বাবে অসমীয়া জাতিৰ সকলোবিধ উন্নতিৰ বিঘিনি জন্মিছে। মই সেইবাবে অসমপ্ৰবাসী সকলক কওঁ তেওঁলোকে নিজ নিজ ধৰ্ম্মনীতি আৰু সমাজ নীতি ত্যাগ নকৰিও সকলো প্ৰকাৰে অসমীয়া হৈ যাব পাৰে। তেওঁলোকে যদি, লাহে অসমীয়া ভাষা গ্ৰহণ কৰি অসমক নিজ জন্মভূমি বুলি গ্ৰহণ কৰি অসমীয়াৰ লগত একতা সূত্ৰত গ্ৰথিত হৈ অসমৰ উন্নতিৰ বাবে উদ্গত হয় তেনেহলে অসমীয়াৰ লগত তেওঁলোকৰ যি বিৰোধৰ সূত্ৰপাত হবৰ সম্ভাবনা হৈ আহিব ধৰিছে বুলি অনুমিত হয় সি নৱ সূৰ্য্যোদয়ত কুহেলীকাৰ নিচিনা দূৰিভূত হৈ অসমৰ উন্নতিৰ বাট মুকুলি কৰি দিব। মই আশা কৰো তেওঁলোকে এইখিনি কথা প্ৰণিধান কৰি যেন আজি জাতি গঠনৰ দিনত অসমত বিষমতাৰ সৃষ্টি নকৰে।

অসমীয়া জাতিক বৃহৎ, সৱল আৰু গৰীয়ান কৰি গঠন কৰিবলৈ হলে অসমৰ পৰ্ব্বতীয়া মনিপুৰীয়া কাছাৰৰ কছাৰী ভাইভনী সকলক আৰু চাহ বাগিছাৰ স্থায়ী বনুৱা সকলক সকলো ৰকমে অসমীয়া ভাৱেৰে উদ্বুদ্ধ কৰি অসমীয়াৰ জাতীয় ভাৱৰ অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত কৰিবলৈ চাৰিওফালৰ পৰা চেষ্টা কৰিব লাগিব। বৰ্ত্তমানত সংৰক্ষিণী সভাৰ এই চেষ্টা প্ৰশংসনীয়। এই চেষ্টাত অসমীয়া মাত্ৰেই প্ৰাণ ঢালি সহায়ক হব লাগে।

অসমৰ উন্নতি কৰিবলৈ হলে অকল নগৰৰ ফালে চকু ৰাখিলে নহব। অসমৰ গাওঁবিলাক অসমৰ উন্নতিৰ বেদী। আপোনা লোকে গাওঁবিলাকৰ ফালে চকু দিলে বুজি পাব তাত তাহানি কালৰ সৰলতা পূৰ্ণ শান্তি বিৰাজিত, বিতোপন বৃক্ষ লতা পৰিশোভিত স্বচ্ছ-বাৰিৰাশি-পূৰিত দীৰ্ঘিকা-খচিত। শিক্ষিত সমাজ অধ্যুষিত স্বচ্ছলতা পূৰ্ণ বেহা বেপাৰোপযোগী গাওঁ বিলাকত এতিয়া সৰলতা আৰু শান্তিৰ ঠাইত বাদ বিসম্বাদ দ্বেষ, হিংসা, পৰশ্ৰী কাতৰতা আৰু পৰ নিন্দাই নিজ নিজ আধিপত্য বিস্তাৰ কৰিছে। বিতোপন বৃক্ষলতা শোভিত গাওঁবিলাক এতিয়া অৰণ্যাণিত পৰিণত হৈ অসূৰ্য্যাম্পশ্যা ৰাজদ্বাৰ হৈছে। গাওঁত

সোমালে অন্ধকূপ হত্যাৰ কথা মনত পৰে। স্বচ্ছ-বাৰিৰাশি-পৰিপূৰিত দীৰ্ঘিকা বিলাক দল আৰু বোকাত ভৰপূৰ হৈ ম্যালেৰিয়া, কলাজ্বৰ, হাইজা, বসন্ত আদি ব্যাধিৰ উৎপত্তি আৰু বৰ্দ্ধনত সহায়তা কৰিছে। সুশিক্ষাৰ ঠাইত কুশিক্ষাই ঢৌ তুলিছে। স্বচ্ছলতাৰ ঠাইত দৰিদ্ৰ ৰাক্ষসীয়ে আপোন মনেৰে তাণ্ডৱ নৃত্য নাচিছে। গাৱলীয়া মানুহে অনশনত, অৰ্দ্ধাশনত দিনক দিনে মৰণৰ দুৱাৰলৈ আগ বাঢ়ি গৈছে। বেহা-বেপাৰৰ উপযোগী বাট-ঘাটৰ অভাৱত গাওঁ বিলাকৰ শ্ৰীবৃদ্ধি মনমৰীয়া হৈ পৰিছে। স্বাস্থ্যকৰ ঠাই বিলাকৰ ঠাইত অস্বাস্থ্যকৰ বিষাক্ত বতাহে গাওঁৰ মানুহক বলবীৰ্য্য তেজোহীন কৰি অসমীয়া জাতিক ক্ৰমাৎ ক্ষয় কৰিছে। সদানন্দ গাওঁ বিলাকত নিৰানন্দ আৰু নিৰুৎসাহে ৰাজত্ব কৰিছে। মদ, ভাং কানি আদি মাদক দ্ৰব্যই অসমীয়া গাওঁ বিলাকক অজগৰৰ দৰে চেপি ধৰি কঙ্কালসাৰ কৰিছে।

অসমৰ গৃহজাত শিল্প বিলাকৰ ঠাইত ভিন দেশীয় শিল্পই ঠাই লৈ অসমৰ গাওঁ বিলাকক নিঃস্ব কৰিছে। অসমীয়াৰ পৰা তাতশাল শনৈঃ গতিৰে পলাবলৈ ধৰিছে। অসমীয়াৰ সভ্যতাক পৰকীয়া সভ্যতাই জয় কৰিছে। আজি নিজস্ব সকলো প্ৰকাৰৰ হাব-ভাৱ ক্ৰমে ত্যাগ কৰিব ধৰিছে। অসম ভূমি এদিন জ্ঞানে, দানে, শৌৰ্য্যে বীৰ্য্যে, শিক্ষা-দীক্ষাত, শিল্পত, কাৰুকাৰ্য্যত, পণ্য-সম্ভাৰত ভাৰতত অতুলনীয় আছিল। যি অসম ভূমিৰ ইতিহাসক উজলাই থৈছে, তাৰ আজি এই পৰিণতি। দোষ কাৰ? আমাৰ নিজৰ। যি হওক, অসমীয়া জাতিৰ জীৱন-মৰণৰ এই সন্ধিক্ষণত "সংৰক্ষিণী সভা"ই সমগ্ৰ জাতিৰ মহৎ মঙ্গলৰ অৰ্থে নিজৰ কৰ্ম্মপদ্ধতি লৈ কৰ্ম্ম-ক্ষেত্ৰত আগবঢ়াত নিশ্চয় প্ৰতীয়মান হৈছে। এই কৰ্ম্ম-পদ্ধতি অনুসাৰে কাম কৰিলে অতি শীঘ্ৰে সুবৃহৎ সৱল অসমীয়া জাতি সংগঠিত হৈ উঠি তাৰ হেৰোৱা পুৰণি গৌৰৱ পুনৰ ফিৰাই আনিব পাৰিব। সমগ্ৰ অসমীয়া জাতিয়ে "সংৰক্ষিণী-সভা"ৰ এই চেষ্টাত সহযোগ দিলে মঙ্গলৰ হব।

আজি ধুবৰীৰ পৰা সদিয়ালৈকে গোটেইখন অসমৰ সুসন্তান সকলক মঙ্গলদৈত গোট খোৱা দেখি মোৰ মনত এই আশাৰ সঞ্চাৰ হৈছে, যে মঙ্গলদৈৰ অনুষ্ঠানে সমগ্ৰ অসমীয়াক একতা বন্ধনত দৃঢ় কৰি অসমীয়া জাতি সংগঠনত ভাস্কৰৰ কাম কৰিব। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, এই মিলন যেন ক্ষণিক নহয়, চিৰন্তন হয়।

আজি এই মিলন মন্দিৰত চাওঁক, অসম মাতৃয়ে অন্তৰীক্ষৰ পৰা তেওঁৰ সন্তান সকলৰ দুৰ্দ্দশা বিলাক সোঁৱৰাই দিছে। অসমৰ কোনো ঠাইতে অসমীয়া কাঠমিস্ত্ৰী, কমাৰ, কুমাৰ, সোণাৰি, হীড়া, শিল্পি আদি দেখিবলৈ নোপোৱা হল। আন প্ৰদেশৰ পৰা মানুহৰ হেঁচা-চেপাত এই বিলাক অসমীয়া শিল্পীৰ হাতৰ পৰা খহি পৰিল। অসমৰ ঠিকাদাৰী, হাট-ঘাটৰ ইজাৰাদী কাম বিলাকত আন প্ৰদেশৰ অনা-অসমীয়া লোকৰ প্ৰাধান্য দেখা গৈছে। এই বিলাক কামত হেজাৰে হেজাৰে টকা অনা অসমীয়া লোকে অসমৰ পৰা চুচি নিব ধৰিছে, আৰু তাৰে নিজ নিজ প্ৰদেশৰ ধন-ভৰাল টনকিয়াল কৰিছে। আনফালে অসমীয়া জাতি টোকোনা, দৰিদ্ৰ হৈ যাব ধৰিছে। অসমীয়াই আলস্যত বুৰ গৈ নেখাই পৰি থাকিও হেপাহেৰে কাল কটাইছে। অসমীয়া জাতিয়ে নিজক এই শোচনীয় পৰিনামৰ পৰা উদ্ধাৰ কৰিবলৈকে তাৰ গৃহজাত শিল্প বিলাকৰ পুনৰুদ্ধাৰৰ বাবে গৱৰ্ণমেণ্টৰ সহযোগ লৈ আৰু নিজেও পুৰুষাৰ্থ আৰু ত্যাগ স্বীকাৰ কৰি অতি সোনকালে এটা কৃষি শিল্প বিদ্যালয় স্থাপনৰ বাবে প্ৰাণ ঢালি পুৰুষাৰ্থ কৰিব লাগে। অসমীয়াৰ খেতি শিল্প আৰু বেহা-বেপাৰৰ এই গতি সমবায়-আন্দোলনেৰে ফিৰাবলৈ অচিৰে চেষ্টা নকৰিলে অসমীয়া জাতিৰ ধ্বংস অনিবাৰ্য্য। তৰুণ অসমক আজি সকলো ফালেদি জাগ্ৰত কৰি জাতীয় ভাৱত উদ্বুদ্ধ কৰি তুলিবলৈ হলে, অসমীয়াৰ মাজত নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ হলে, অসমত এটা নিজৰ বিশ্ববিদ্যালয়ৰ বৰ আৱশ্যক। শ্ৰীহট্ট অসমৰ পৰা বাদ গ'লে এই বিশ্ব-বিদ্যালয় স্থাপন কৰাটো সহজ হৈ পৰে।

অসমৰ নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ হলে অসমৰ জমিদাৰ সকলক আমাৰ ফালে টানি অনাটো যুগুত। বহুতো উপযুক্ত অসমীয়া থকাতো কিমান অনা অসমীয়া

আন প্রদেশ পৰা আহি জমিদাৰ সকলৰ অফিছাদিত কিমান ভাৱে কাম কৰি জীৱিকা নির্ব্বাহ কৰিব ধৰিছে, আৰু অসমীয়া সকলে একো সম্বল বিহীন হৈ নিজৰ ঘৰতে আনৰ সুখ-সম্ভোগ দেখি দেখি অৰ্দ্ধাশনত পৰি আছে।

এটা জাতিক উন্নতিৰ বাটলৈ আগ বঢ়াই নিবলৈ হলে বাতৰি কাকত বিলাকৰ প্রয়োজনীয়তা বহলাই কৰ লাগাগে। এইটো আমাৰ বৰ দুখৰ কথা যে অসম উপত্যকাৰ আমাৰ নিজৰ জাতীয়তাবাদী এখনো ইংৰাজী কাকত নাই। যি দুখন অসমীয়া বাতৰি কাকত আছে, সেই দুখনৰ গ্রাহক সংখ্যা নিচেই কম। মাহিলী কাকতৰ ভিতৰত" আৱাহন" খনক গণনাত ধৰিব পাৰি। গ্রাহকৰ অভাৱত সি খনো কেতিয়াবা মৰা-জীয়া হৈ পৰে। অসমীয়াই 'আৱাহন'ক বিসর্জ্জন দি বঙ্গালী মাহিলী কাকত বিলাকক আৱাহন কৰিছে। যদি প্রতি শিক্ষিত অসমীয়াই 'অসমীয়া', 'বাতৰি', 'আৱাহন' পঢ়িলে হেঁতেন তেনেহলে একফালে যেনেকৈ অসমীয়া সাহিত্য চহকি হৈ আহিল হেঁতেন, তেনেকৈ আনফালে অসমীয়াৰ জাতীয় চৈতন্যও প্রখৰ মাৰ্ত্তণ্ডৰ দৰে অন্তৰতে প্রজ্বলিত হৈ উঠিল হেঁতেন। এইটো বৰ ডাঙৰ লাজৰ কথা যে অসমীয়াই অসমীয়া কাকত নপঢ়ে। প্রতি অসমীয়াৰ কর্ত্তব্য অসমীয়া সংবাদ পত্র সমূহৰ গ্রাহক সংখ্যা বৃদ্ধি কৰা। যি দেশৰ বাতৰি কাকতৰ সংখ্যা যিমান বেছি সি দেশ সিমান উন্নত। বাতৰি কাকতৰ দুৰবস্থা থকা দেশ আৰু বাহুপ্রস্ত বেলিৰ মাজত পার্থক্য নাই বুলিলেই হয়। সংবৰ্দ্ধিণী সভাক সর্ব্বতোভাৱে অসমীয়াৰ স্বার্থ সংৰক্ষণৰ বাবে এখন এদিনীয়া কাকত উলিয়াবৰ দিহা কৰি দিয়াটো প্রতি অসমীয়াৰ কর্ত্তব্য।

গাঁওঁৰ মানুহে খেতিবাতি কৰি নিজৰ অন্ন সংস্থানৰ দিহা কৰিবলৈ দেশত যাতে মাটিৰ নাটনি নহয় তাৰ ফালে চকু বাখিব লাগিব। আজি আমাৰ দেশত আৰু মাটি নাই বুলি একফালে সংবৰ্দ্ধিণী সভাই আৰু বাহিৰৰ পৰা মানুহ অসমলৈ আহিব দিব নালাগে বুলি গৰ্ণমেণ্টৰ ওচৰত বাবে বাবে অনুৰোধ কৰিব ধৰিছে, আনকালে গৰ্ণমেণ্টে সেই অনুৰোধলৈ কাণ নিদি দলে দলে ইমিগ্রেণ্ট অসমত সোমাবলৈ আদেশ দিয়েই আছে। এই সমস্যত এই ভীষণ সমস্যাটো সমাধান কৰি ভবিষ্যৎ অসমীয়া সন্তান সকলৰ বিত্তাৰৰ অর্থে যথেষ্ট পৰিমাণ খেতিৰ উপযোগী জঙ্গলী মাটি বিজাৰ্ভ বাখিবলৈ কি দিহা কৰা উচিত গোটেই অসমীয়া জাতিয়ে আজি বিশেষ ভাবে চিন্তিবৰ সময় হৈছে। গৰ্ণমেণ্টে অসমীয়াৰ ভবিষ্যৎৰ বাবে সোনকালে যাতে এখন মাটি সংৰক্ষণ আইন কৰে তাকে বিশেষ ভাবে কাউন্সিল আৰু বাহিৰত আন্দোলন কৰিব লগীয়াত পৰিছে। আৰু আমাৰ গাৱঁলে গাৱঁলে মৌজাই মৌজাই সকলো ঠাইতে 'সংবৰ্দ্ধিনী-সভাৰ" শাখা স্থাপন কৰি ওপৰত লিখা উদ্দেশ্য বিলাক সাধন কৰিবৰ নিমিত্তে গাঁওঁ বিলাকক সচেতন কৰি তুলিবলৈ চেষ্টা কৰা প্রত্যেক অসমীয়াৰ কর্ত্তব্য বুলি মই ভাবোঁ।

প্রতি অসমীয়াই প্রথমতে অসমীয়াৰ স্বার্থ ভাবি অসমীয়া জাতিৰ মঙ্গলৰ নিমিত্তে অসমীয়া দোকানী কাৰবাৰীৰ পৰা বস্তু কিনিবলৈ দৃঢ় সঙ্কল্প কৰিলে, নিবন্ধুৱা সকলে শ্রমৰ প্রতি শ্রদ্ধাশীল হৈ কামত লাগিলে, অসমীয়াৰ অসমীয়া কাকত বিলাকৰ প্রতি আসক্তি বাঢ়িলে, অসমীয়াই মদ, ভাঃ, কাশি এৰি আলস্যৰ আলিঙ্গনৰ পৰা নিজক মুক্ত কৰি ললে, অসমীয়াই বেহা-বেপাৰ, শ্রম-শিল্প, কাৰকাৰ্য্য, কল কাৰখানাৰ প্রতি মন দিলে, অসমীয়াই বিলাসীতা বর্জ্জন কৰি কর্ত্তব্যৰ বাটত ভৰি দিলে, অসমীয়াই অসমীয়াৰ প্রতি সহানুভূতি সম্পন্ন হলে, অসমীয়াই অসমৰ অতীত গৌৱৰৰ অতীত ইতিহাস স্মৃতি পটত অঙ্কিত কৰি অসম মাতৃকাৰ ম্লানমুখ স্মৰণ কৰি কর্ত্তব্য বাটত আগ বাঢ়ি গ'লে, অসমীয়া জাতিয়ে আন জাতিৰ হেয় হৈ কেতিয়াও বৰ নালাগে।

এই খিনিতে অসমীয়া জাতিৰ সুখ-দুখ, অভাৱ অভিযোগৰ সামৰণি মাৰি আৰু এটা লাগতিয়াল বিষয় স্মৰণ কৰাই দিব খোজোঁ। এই সভা-মণ্ডপত সমবেত ভাই-ভনী সকলৰ ভিতৰত এনে এজন নাই, যি জনে জয়েণ্ট পার্লামেণ্টাৰী বিপোর্টৰ বিষয়ে শুনা নাই, অনবৰত ৰাজনৈতিক বিষয় ইমান জটীল যে ইয়াত জয়েণ্ট পার্লিয়ামেণ্টাৰী কমিটীৰ বিপোর্ট খন সম্পূর্ণকৈ গ্রহণ কৰাটো যেনে টান সম্পূর্ণকৈ বর্জ্জন কৰাটোও তেনে টান। বিপোর্টখন ভাৰতবাসী মাত্রকৰে হতাশ ব্যঞ্জক হৈছে। যি হওক অসমীয়াই দুকৈ বিবেচনা কৰি চোৱা উচিত ভবিষ্যতে শাসন ক্ষমতা সম্পূর্ণকৈ লাভ কৰিবলৈ আৰু শ্রীহট্ট বিচ্ছেদৰ বাবে চেষ্টা কৰিবলৈ বৈধ ভাৱে চেষ্টা কৰি থকা উচিত নে অনুচিত।

মই আগতে কৈ থৈছোঁ যে মোৰ সভাপতিত্ব কৰিবৰ যোগ্যতা মোৰ নাই। মোৰ কথা বিলাক ভাষাৰ ছন্দ বিহীন। কল্পনাৰ ঝঙ্কাৰ বা ভাৱৰ প্রবাহ মোৰ নাই। ইয়াত মাত্র কর্ম্মময় জীৱনৰ কথা। কর্ম্ম প্রবাহ পলৰ পৰা পল, দণ্ডৰ পৰা দণ্ড, দিনৰ পৰা দিন, মাহৰ পৰা মাহ, বছৰৰ পৰা বছৰ অবিৰাম গতিত চলিয়েই থাকিব। এই গতিত আমি অসমীয়াই অগ্রসৰ হৈ যাই থাকিব পাৰিলে আমাৰ স্বপ্ন কর্ম্মত মূর্ত্ত হৈ প্রকাশ পাব। আহক, ভাই ভনী সকল, আমি কর্ম্মক্ষেত্রত বিপুল উৎসাহেৰে সোমাই পৰোহক। ৫২৭৫/অ:

মই আৰু বেছি সময় নলওঁ। মোক আজি এই জাতীয় যজ্ঞৰ পুৰোহিত কৰি আপোনালোকে গ্রহণ কৰা বাবে আপোনালোকৰ ওচৰত মোৰ শতাগ জনাই আসন গ্রহণ কৰিলোঁ।

ছদ্মবেশী

(আগৰ সংখ্যাৰ পাছৰ পৰা)

উপন্যাস— —শ্রীযুত শান্তি ৰাম দাস বি-টি

লর্ড মাউণ্ট চেভার্ণৰ স্বর্গযাত্রা

লর্ড উইলিয়ামৰ, তেখেতৰ সোনৰ পুৰী ইউলিনি হস্তান্তৰ হবৰ দিন ধৰি গা ভাল নহয়। তেখেতৰ চিৰ-লগৰীয়া—সর্ব্বনাশী বাতবিষে এইবাৰ ভালকৈয়ে লগ ধৰিলেহি। অলপ দিনৰ ভিতৰতে বাতবিষে তেখেতৰ সর্ব্বশৰীৰ ছাটি পেলালেহি অলৰ অচৰ কৰি পেলালে। ওচৰ চুবুৰীয়া, বন্ধু-বান্ধৱ, মিটৰ কুটুম আটায়ে অন্তিম কাল চাপি আহা দেখি তেখেতক একোবাৰ দেখা দিলেহি। উইলিয়ামৰ বন্ধু বান্ধৱৰ ভিতৰত মিঃ কার্লাইলকে প্রথম লেখিব লগীয়া। কাৰণ তেখেতৰ নৰিয়াৰ ভিতৰত তেৱেই এজন প্রধান আল-পৈচান ধৰোতা, আৰু পৰামর্শ দাতা। ডাক্তৰ মাতিব লগা হলে বা ঔষধপাতি কিবা আনিব লগা হলেও কার্লাইলৰ আৱশ্যক। তেখেতৰ চিকিৎসাৰ খৰচ-পাতিও কার্লাইলৰ হাতৰ পৰাহে কৰিব লগা হৈছিল। কার্লাইল কাজেই উইলিয়ামৰ ঘৰত দিনটোৰ ভিতৰত এবাৰ নহয় এবাৰ উপস্থিত থাকে। উইলিয়মে কার্লাইলক অন্তৰেৰে বৰ ভাল পোৱা হৈ উঠিল; এনেকি তেওঁক দিনটোৰ ভিতৰত দেখা নাপালে বাউল হৈ উঠে। কার্লাইলে তেখেতক দেখা দিলেই তেখেতে সকলো অসুখৰ কথা পাহৰে, সকলো আলা যন্ত্রণাই যেন খন্তেকৰ নিমিত্তে শামকাটে।

গধূলি ইজাবেলে মুবশিতানত বহি গা মুৰ শিটিকি দিওঁতে বাপেকৰ কৈ উঠিল, আইটি মই সর্ব্বসাধাৰণৰ লগত সমান নহওঁ। মিঃ কার্লাইল যে মোৰ ইয়াকৈ আহ যাহ

কৰে আৰু এই মৰণকালত সেৱা শুশ্ৰূষা কৰেহি, ই তেওঁৰ মহান উদাৰতা আৰু দয়াধৰ্ম্মৰ গুণ ”

“এৰা পিতা, তেওঁ বৰ উদাৰ আৰু দয়ালু পুৰুষ। তেওঁক মই বৰ ভাল পাওঁ।”

“মইযে তেওঁতকৈ আন কাৰবাক বেছি ভাল পাওঁ নাজানো ইছাবেল।”

বাপেক-জীয়েকৰ কথাৰ মাজতে কাৰ্লাইল উপস্থিত হলহি। মৃত্যু শয্যাতে পৰি থকা উইলিয়ামৰ মুখত হাঁহি ওলাল, ইছাবেলৰ মুখো প্ৰফুল্লিত হৈ উঠিল। কথাই কথাই বাপেকে কলে, “আইটি, এফাকি গান গোৱাঁ।”

“বাৰু পিতা, আপুনি ইচ্ছা কৰিছে যেতিয়া গাওঁ। কিন্তু বীণখন অলপ বেয়া হৈছে; ভালকৈ যে বীণখন বাজি উঠিব আশা কম।”

কাৰ্লাইলৰ ফালে চাই কলে, “মিঃ কাৰ্লাইল, আপোনালোকৰ ৱেষ্টলিনিৰ ফালে বীণ ভালকৰা কোনো মিস্ত্ৰী নাইনে?”

“কেলেই নহব, নিশ্চয় আছে। বাৰু, কাইলৈ মই কেন চাহাবক নিজে লগতে লৈ আহিম।”

“শত শত ধন্যবাদ, মিঃ কাৰ্লাইল। আমি ইয়াত বেছিদিন থাকিব পৰা হলে এই পুৰণি বীণখন সলাই, নতুন ভাল এখন আনিবলৈ পিতাক কলো হেঁতেন।”

জীয়েকৰ কথাশুনি বাপেকে কাহ এটি মাৰিলে আৰু মাৰি কাৰ্লাইৰ ফালে কেৰাহিকৈ চালে। কাৰণ সেই বীণখন উইলিয়াম বা লেডী ইছাবেলৰ নহয়, ই কাৰ্লাইল প্ৰদত্ত উপহাৰ। এই কথা আজলী ইছাবেলে নাজানে।

পিছ দিনাখন ৰাতিপুৱা কেন চাহাব আহিল আৰু ইছাবেলৰ বীণখনি ভাল (মেৰামত) কৰি দিলে। কেনৰ সামান্য সাজ-পাৰ দেখি আৰু লগে লগে তেওঁৰ দুখ দৈন্যৰ কাহিনী শুনি ইছাবেলৰ অন্তৰ পমি গল। যাবৰ সময়ত কেনচাহাবক আশাতীত মজুৰি দি বিদায় দিলে আৰু কৈ পঠালে, “আপুনি সোনকালে এদিন গান গোৱাৰ বন্দৱস্ত কৰকগৈ—আমি আটায়ে টিকেট কিনি গান শুনিবলৈ যাম।”

দুখীয়া নিচলা কেনৰ অন্তৰত আনন্দে নধৰা হল। ঘৰলৈ গৈয়ে গানৰ যো-জা কৰিবলৈ লাগিল। ইপিনে ইছাবেলে নিজৰ লগৰীয়া সকলৰ মাজত প্ৰচাৰ কৰিলে যে কেন চাহাবে অমুক দিনাখন অমুক সময়ত বৰ ভাল গান শুনাব; আৰু লগে লগে তেওঁ বহুত টিকেটো বিক্ৰী কৰিলে। ইছাবেলে কাৰ্লাইলক বৰ অনুনয়-বিনয়কৈ ধৰাত তেৱোঁ কেনচাহাবৰ গান শুনিব যাবলৈ মান্তি হল; বহুত টিকেট বিক্ৰী কৰি দি অভাৱ পীড়িত কেনক যথেষ্ট সহায় কৰিলে। ৱেষ্টলিনিৰ ওপৰেদি আনন্দৰ ঢৌ বাগৰি গ'ল। ইছাবেলে নিজে গৈ কেনৰ ঘৰৰ পৰা টিকেট কিনি আনিলেগৈ—সেয়েহে ৱেষ্টলিনিৰ জনসাধাৰণৰ মাজত বৰ আনন্দৰ ভাৱ দেখা গল।

ঘৰলৈ ফিৰি আহোঁতে কাৰ্লাইলৰ লগত ইছাবেলৰ দেখা দেখি হল। কেন চাহাবৰ গানত যে মানুহৰ কিছু ভীৰ হব—আৰু তাৰ লগতে অভাৱ পীড়িত কেন বপুৰায়ো দুপইছা পাব সেই বিষয়ে দুয়ো কোৱা-মেলা কৰি বৰ আনন্দ অনুভৱ কৰিলে। বিদায় সম্ভাষণ জনাই দুয়ো ঘৰ মুৱা হল।

বাটত যাওঁতে কাৰ্লাইলে কৰ্ণেল বিডেলৰ ভায়েক অটৱে বিডেলক লগ পালে। বিডেলক দেখিয়েই কাৰ্লাইলৰ মাজত ওকালতী বুদ্ধি সোমালহি। হতভাগা হেলিজনৰ হত্যাকাণ্ড সম্বন্ধে কিবা শুংসূত্ৰ পাম বুলি—বিডেলৰ লগত তেওঁ কথা পাতিলে. তেওঁ সুধিলে; “কিহে ইমান দিন ক'ত লুকাই আছিলা?”

বিডেল—মিঃ কাৰ্লাইল মই ইমান দিনে ফ্ৰান্স, জাৰ্ম্মাণ আদি নানা ঠাই ঘূৰি ফুৰিলোঁ। জানাইতো ঘৰত থাকিও ভাল নালাগে।

“এৰা ভালেই কৰিছা। সম্প্ৰতি ভালতো?”

“এৰা ভালেই।”

কাৰ্লাইল অলপ গম্ভীৰ হৈ উঠি সুধিলে, “হেৰা, সেই হেলিজনৰ হত্যাকাণ্ডৰ কথা মনত পৰেনে?”

“হয় মনত আছে, কেলেই?”

“এৰা মই শুনিবলৈ পাইছো যে সেই দিনা হত্যাকাণ্ড হোৱাৰ কেই মিনিট মান পিছতে তুমি আৰু ৰিচাৰ্ড

হেয়াৰ দুয়ো সিহঁতৰ ঘৰৰ ওচৰতে কথা পাতিছিলা। হয়নে?”

“আপোনাক কোনে কলে?”

“সেই বিষয় প্ৰশ্ন সোধাৰ কোনো আৱশ্যক নাই।”

“অৱশ্যে কথা সচাঁ, কিন্তু মই বিশেষ একো কোৱা নাই।”

“এফিৰ কোনোবা এজন প্ৰেমিক থৰ্ণ নে কিবা, এফিহঁতৰ ঘৰৰ পৰা ওলাই আহা তুমি দেখিছিলানে নাই ৰিচাৰ্ডে তোমাক সোধা নাছিলনে?”

বিডেলে অলপ আচৰিত হৈ কৈ গল, “থৰ্ণ? বোধহয় থৰ্ণ—এৰা থৰ্ণ বুলি কোৱা মনত পৰে।”

কাঃ—বাৰু বিডেল সেয়ে হৈছে—তুমি এতিয়া সঁচা কথা কেৱা। তুমি আচলতে সেই থৰ্ণক এফিহঁতৰ ঘৰৰ পৰা লৰি পলোৱা দেখিছিলানে?

বিডেলে মূৰ জোকাৰি উত্তৰ দিলে, “নাই। মই ৰিচাৰ্ডৰ বাহিৰে আন কাকো দেখা নাই। মই নেদেখাকৈ হয়তো এজন কিয় ১০।১৫ জন থৰ্ণো লৰি পলাব পাৰে।”

কাঃ—সেই বন্দুকৰ গুলিৰ শব্দ তুমি শুনিছিলানে?

বিঃ—শুনিছিলো কিন্তু সিমান দূৰ মন কৰা নাছিলো। আবেলি বহুত চিকাৰীয়ে সেই হাবিখনত চিকাৰ বিচাৰি ফুৰিছিল। মই ইফাল সিফাল কৰি থাকোতে বন্দুকৰ শব্দ শুনিছিলো আৰু অলপ পিছতে ৰিচাৰ্ডক দেখা পালো। সি হেফহি ফেফহি সুধিলেহি—'থৰ্ণক এই পিনে লৰি যোৱা দেখিলানে?' মই কথাশুনি অবাক।

কাঃ—তুমি তেনেহলে থৰ্ণক দেখা পোৱা নাছিলা।

যিঃ—হয় নাই পোৱা। মই ৰিচাৰ্ড আৰু লকচলি নামে চিকাৰী এজনৰ বাহিৰে আন কাকো দেখা নাই মিঃ কাৰ্লাইল পৰকালত ৰিচাৰ্ড হেয়াৰৰ অন্যায় কৰিবলৈ মোৰ অলপো ইচ্ছা নাই। আহা, সেই দুৰ্ভগীয়া ডেকা জন! মোক সেই বিষয়ে কোনো ভাৰ নিদিব।

কাঃ—বাৰু ভয় নাই। কিন্তু এই বিষয়ে মোক সহায় কৰিব লাগিব। ময়ো ৰিচাৰ্ডৰ অন্যায় নকৰোঁ পাৰিলে উপকাৰ কৰিম বুলিয়েই তাৰ আপদীয়া কথাটো হাতত লৈছোঁ। মোৰ সন্দেহ হৈছে আৰু সন্দেহ কৰিবৰ বহুত কাৰণো পাইছোঁ যে সেই হত্যাকাণ্ড ৰিচাৰ্ডৰ দ্বাৰা হোৱা নাই প্ৰকৃততে আন এজনৰ দ্বাৰাহে। এতিয়া সেইজন কোন বিচাৰি উলিৱাই মোৰ প্ৰধান উদ্দেশ্য. তুমি এই বিষয়ে কোনো খবৰ মোক দিব নোৱাৰানে?

বিঃ—নোৱাৰো মিঃ কাৰ্লাইল, ক্ষমা কৰিব।

কাঃ—বাৰু এতিয়া যোৱাগৈ।

বিঃ—ভাল, নমস্কাৰ হে।

কাৰ্লাইল বেগাবেগিকৈ ঘৰলৈ গৈ দেখে যে মিছ কৰ্নি জষ্টিছ হেয়াৰ আৰু তেখেতৰ জীয়েক মিছ বাৰবাৰা আটায়ে সাজি পাৰি কেন চাহাবৰ সঙ্গীত শুনিব যাবলৈ—তেওঁক বাট চাই আছে। কাৰ্লাইলে পলমকৈ ঘৰলৈ যোৱা দেখি কৰ্ণিৰ পৰা দুই চাৰি আষাৰ মিঠা কাঢ়া মাতো শুনিলে। তেওঁ ততালিকে সাজপাৰ পিন্ধি আধাঘণ্টা মানৰ ভিতৰতে থোৱা লোৱাও শেষ কৰি হাঁহি এটি মাৰি সঙ্গীত শুনিব যাবলৈ তেওঁলোকৰ আগত উপস্থিত হলহি। আটায়ে কেন চাহাবৰ সঙ্গীত মণ্ডপৰ ফালে খোজ ললে। বাৰবাৰা কাৰ্লাইলৰ কাষে কাষে যাবলৈ ধৰিলে।

ইপিনে লেডী ইছাবেল।

লৰ্ড উইলিয়াম চাহাবৰ আকৌ অসুখ। সৰ্ব্বশৰীৰ বাতবিষে ছাটি পেলাইছে ইবেলি তেখেতৰ অসুখ কেনেবা একধৰণৰ সাংঘাতিক। গধূলি চেনেহৰ জীয়েক ইছাবেলক ওচৰলৈ মাতি নি কলে—“আইটি মই আৰু বেছি দিন ইয়াত নাথাকো; মনটো বৰ বেয়া লাগিছে আন এঠাইলৈ যাবলৈ ইচ্ছা হৈছে—পাৰিলে কালি পৰহিতে যাওঁ। সেইবাবে তুমি আজি কেন চাহাবৰ সঙ্গীত শুনিবলৈ যাব নালাগে।” কথাশুনি লেডী ইছাবেলৰ মুখ ৰঙা পৰি উঠিল; কলে “কেলেই যাব নালাগে পিতা?”

উইঃ—তোমাক তালৈ কোনে লৈ যাব. মই উঠিবই নোৱাৰো যে।

ইছাবেলে কান্দো কান্দোকৈ কৈ গল “নহয় পিতা মই তালৈ যাম যেনে হওক যামগৈ, কেন চাহাবৰ সঙ্গীত

শুনিবলৈ মোৰ বৰ হেপাহ জন্মিছে বাধা নিদিব পিতা। মই কেইবা গৰাকীও লগৰীয়া পাইছোঁ—তেওঁলোকৰ লগত যামগৈ ; হকা বধা নকৰিব পিতা।" "বাৰু যেনে ইচ্ছা—কৰাগৈ। তুমি যাবলৈ উত্ৰাৱল বুলি মই জানো।" পিতাকক কানি কাপোৰ যি যি লাগে সকলোকে যতনাই দি সঙ্গীত শুনিব যাবলৈ বুলি চাই চিতি ভাল ভাল কাপোৰ অলঙ্কাৰ পাতি পিন্ধিলেগৈ। যাবলৈ ওলাই মৃত্যু শয্যাত পৰি থকা বাপেকৰ বিদায় ললেগৈ "তেনেহলে পিতা মই যাওঁগৈ।" জমিদাৰে জীয়েকৰ মাতশুনি মুখৰ পৰা কাপোৰখন গুচাই ডাঙৰ ডাঙৰ চকু দুটাৰে জীয়েকক ভৰিৰ পৰা মূৰলৈ নিৰীক্ষণ কৰি চালে। তেখেতৰ মন নালাগিল, নাক কোঁচ খাই গল ; চকু দুটা মুদি কৈ গল, "মৰমৰ আইটি তুমি এইবোৰ কি সাজ পিন্ধিছা ? এটা সামান্য সঙ্গীত ভাওনা চাবলৈ যাওঁতে ইমান লাহ বিলাহনে ? ছিঃ ছিঃ বস্তুৰ মৰ্য্যদা নুবুজা। মানুহে এই বোৰ দেখি কি নকব।

ইছাবেলে গদগদকৈ কৈ উঠিল "কওক পিতা কওক। মই কেতিয়া কি পিন্ধিব উৰিব লাগে জানো কিন্তু আজি মই ইচ্ছা কৰিয়েই এইবোৰ পিন্ধিছোঁ।"

"তোমাক সকলোৱে ছিঃ ছিঃ কৰি নেওচা দিব।"

"কোনো ভয় নাই।"

বাপেকৰ খং উঠি কলে "গৰ্ব্বিতা ছোৱালী, তোক এই অহঙ্কাৰেই খালে। তই তোৰ মিছা গৰ্ব্বক সন্তোষ দিবলৈয়ে এইবোৰ কৰিছ। কিন্তু ইছাবেল—ইয়াৰ পৰিণাম ভয়ঙ্কৰ—উহু।" পিতাকৰ কথা শুনি ইছাবেলে কিছুপৰ তভক মাৰি থাকি সুধিলে "তেনেহলে পিতা মই ঘৰতে থাকিম নেকি ?"

পিতাকে খংমুখেৰে উত্তৰ দিলে; "নালাগে—গৰ্ব্বিতা নিলাজী ছোৱালী। যাগৈ—মোৰ লগত বেছি কথা নকবি, মোৰ অসুখ বেছি হয়।"

"পিতা যদি মই ঘৰত থাকিব লাগে তেন্তে নাযাওঁ। কি কাম কৰিব লাগে কোৱা।"

"নালাগে—তই নহলেই ভাল। যাগৈ—কিন্তু মিঃ কাৰ্লাইলক লগপালে কালি ৰাতিপুৱা এবাৰ যেনেতেনে আহি যাবগৈ কৰি।"

লেডী ইছাবেলে মাৰ্ভেল নামৰ বান্দীজনীক লগত লৈ কেন চাহাবৰ সঙ্গীত মণ্ডপলৈ যাত্ৰা কৰিলে।

কেনচাহাবৰ সঙ্গীত ভাওনা শুনিবলৈ আজি ৱেষ্টলিনি আৰু ইষ্টলিনিৰ লৰা-ছোৱালী, বুঢ়া-বুঢ়ী আটায়ে ব্যগ্ৰ। কাৰণ আজি এই ভাওনাত স্বয়ং লৰ্ড মাউণ্ট চেভাৰ্ণ জমিদাৰ উইলিয়াম চাহাব আৰু তেখেতৰ অদ্বিতীয়া ৰূপযৌবন-সম্পন্না গাভৰু জীয়েক লেডী ইছাবেল উপস্থিত থাকিব। ডাঙৰ সৰু, ধনী-মানী, সুখী দুখী আটায়ে ভাওনা ঘৰ ভৰি পৰিলহি।

সুন্দৰ জোনাক নিশা। নিচেই ওচৰতে দেখি আৰু বিশেষকৈ বাঘিনী বায়েক মিছ কৰ্ণি লগত থকা বাবে কাৰ্লাইলে বেছি আড়ম্বৰ নকৰি বাৰবাৰাইতৰ লগত খোজ কাঢ়িয়ে যাবলৈ ধৰিলে। বাৰবাৰাই সুধিলে, "কাৰ্লাইলদা, আজি কালি দেখোঁ তোমাক দেখিবলৈয়ে নাই, কেলেই ?"

কাঃ—"এৰা, ইষ্টলিনিত জমিদাৰ উইলিয়ামৰ ঘৰতে বৰ ব্যস্ত আছোঁ। তেওঁলোক ৩।৪ দিনৰ ভিতৰতে তাৰ পৰা আন ঠাইলৈ যাব, তেতিয়াহে মই যথেষ্ট সময় পাম আৰু তেতিয়া তোমালোকৰ ঘৰৰ ফালেও যাম।"

"তোমাৰ কালি ৰাতিয়েই আমাৰ ফালে যোৱাৰ কথা নাছিলনে ?"

"নহয়, মই ইষ্টলিনিত ভোজ খাবলৈ যোৱাৰ কথাহে কৈছিলোঁ।"

"বহুত মানুহে কোৱা-মেলা কৰে যে তুমি হেনো ইষ্টলিনিতেই বসতি কৰিবা। তোমাক তালৈ কিহে টানি নিলে, আচৰিত ?" বাৰবাৰাই সুৰ কোমল কৰি কলে, "তেওঁলোকে কয় যে লেডী ইছাবেল জমিদাৰৰ ছোৱালী নহৈ আন এজনী হোৱা হলে,—তোমাৰ তালৈ যোৱাৰ কাৰণ সেই জনীহে।"

কাৰ্লাইলে চকু ঘোলাকৈ বাৰবাৰালৈ চাই কলে,—"উঃ, বহু ধন্যবাদ। সিহঁতে মোৰ বিষয়ে ইমান বোৰ খবৰ ৰাখিছে। লেডী ইছাবেলেই বা আৰু কত ৰাখিছে! কিন্তু মই আচৰিত হৈছো, তুমি এইবোৰ মিছা অপবাদ ক'ত শুনিলা বাৰবাৰা ?"

বাৰবাৰাৰ বুকু ফুলি উঠিল ; কলে "লোকে কৈছে, মই একো নাজানো। বাৰু, লেডী ইছাবেলে হেনো খুব সুন্দৰ গান গাবলৈ পাৰে হয়নে ? তেওঁৰ সঙ্গীত হেনো স্বৰগৰ অপ্সৰা সঙ্গীত যেন ?"

"মনে মনে থাকা, বাইদেৱে এইবোৰ কথা শুনিলে তোমাক গালি পাৰিব। মই এদিন লেডী ইছাবেল দেখিবলৈ বৰ ধুনীয়া বুলি কওঁতেই কত গালি শপনি খাইছোঁ। উহুঁ, নকবা, তেওঁ শুনিবলৈ পাব।"

বাৰবাৰাৰ মুখ শেতা পৰিল। কাৰ্লাইলৰ মুখৰ ওপৰতে চকু ৰাখি কলে, "তেওঁৰ মমুখনি সৰগৰ অপ্সৰাৰ নিচিনা লাৱণ্যময়ী বুলি ভাবা নেকি ?"

"এৰা, কোৱা যেন মনত পৰে। বাৰু, এইবোৰ এৰি পেলোৱা। ৰিচাৰ্ডৰ কিবা খবৰ পাইছেনে ?"

"একো পোৱা নাই, তুমি কি কৰিলা ?"

"মই সদায় সেই উদ্দেশ্যে ঘূৰি ফুৰিছো, কিন্তু কতো একো শুংসূত্ৰকে পোৱা নাই।"

এনেতে লেডী ইছাবেলৰ গাৰী তেওঁলোকৰ কাষেদি গৈ ভাওনা ঘৰৰ সমুখতে লাগিলগৈ। ইছাবেল অকলে বহি আছে ; কাৰবাক বাট চাইছে।

বাৰবাৰাই ইছাবেলক দেখা পাই কাৰ্লাইলক গাতে ঠেলা এটা মাৰিদি কৈ উঠিল, "সৌ যে লেডী ইছাবেল—অকলে বহি আছে।"

কাৰ্লাইল আচৰিত হ'ল। তেওঁ ভাবিলে, "তেওঁ কেলেই এনেকৈ অকলশৰে বহি আছে ? কাক বাট চাইছে ? লৰ্ড চেভাৰ্ণ কতা ?" তেওঁৰ মনত সন্দেহ উপস্থিত হল—জানোচা তেখেতৰ অসুখ বেছি হল। তেওঁ বাৰবাৰাক "খন্তেক ৰবা, মই এই আহোগৈ" বুলি কৈ উত্তৰলৈ বাট নাচাই লেডী ইছাবেলৰ ওচৰ চাপিলগৈ ? সুধিলে, "তুমি কালৈ বাট চাইছা ? অকলে কেলেই ? পিতাৰা কতা ?"

ইছাবেল—"অ, আপুনি ? তেখেতৰ অসুখ হৈছে আপুনি শুনা নাইনে ? "আকৌ অসুখ ?" "এৰা আকৌ অসুখ। বাস্তৱিকে বৰ অসুখ। ডাক্তৰ ওৱেন ৰাতি পুৱা বহুত বেলি আছিলহি। আপোনাক এবাৰ কালি ৰাতিপুৱা মাতিছে।"

"বাৰু, তুমি লগৰীয়া সকলে সৈতে আহঁ।" বুলি কৈ কাৰ্লাইলে বাৰবাৰাক লগ ধৰিলেগৈ। বাৰবাৰাক যতেই এৰি গৈছিল তাতেই পালেগৈ। আটায়ে সঙ্গীত মণ্ডপৰ ভিতৰত বহিলগৈ। সঙ্গীত মণ্ডপ দৰ্শকেৰে ভৰপূৰ হৈ উঠিছে। ইছাবেলৰ মনত অপাৰ আনন্দ। সঙ্গীত আৰম্ভ হল। দীন দুখী আটায়ে কেন চাহাবৰ সঙ্গীত কলা বিদ্যাত নিপুনতা প্ৰশংসা কৰি ধইন ধইন মানিলে আৰু মুগ্ধ হৈ সঙ্গীত শুনি থাকিল।

সঙ্গীত ভাওনাৰ আধাআধি শেষ হৈছে এনেতে মানুহৰ মাজত এজন বুঢ়া চৌকিদাৰ খুব ব্যস্ত ভাৱে ইফাল সিফালকৈ কাৰবাক বিচাৰি ফুৰা দেখা গল। অলপ পিছতে বুঢ়া জনে মিঃ কাৰ্লাইলৰ ওচৰ চাপি মূৰ দোৱাই সুধিলে, "ডেকাদেউ আমাৰ ইছাবেল আইদেও কোন খিনিত বহিছে—কব পাৰেনে ?"

"কেলেই ?"

"বৰ দেউতাৰ সাংঘাতিক অৱস্থা, তেখেত আৰু নাবাচে। মই আইদেউক নিবলৈ গাৰী এখন লৈ আহিছোঁ। অনুগ্ৰহকৈ তেওঁ কত আছে মোক দেখিব দিয়ক। বৰ দেউতাৰ বৰ টান—ডেকা দেউ।"

কাৰ্লাইলৰ গা শিয়ঁৰি উঠিল—মনত বৰ দুখ লাগিল। কলে, "বাৰু, তই ইয়াতে থাক মই এতিয়াই ইছাবেল আইদেওক আনি দিওঁ।"

কাৰ্লাইলে মানুহৰ ভীৰৰ মাজেদি বাট ঠেলি লেডী ইছাবেলৰ আগত থিয় হলগৈ। ইছাবেলে হাঁহি মাৰি কৈ উঠিল, "মিঃ কাৰ্লাইল, সঙ্গীত কেনে লাগিছে ? মোৰ হলে বৰ ভাল লাগিছে।"

কাৰ্লাইলে গম্ভীৰ ভাৱে কলে, "সঙ্গীত খুব সুন্দৰ হৈছে সঁচা ইছাবেল, কিন্তু পিতাৰাই তোমাক মাতি পঠিয়াইছে। তেখেতে তোমাক নিবৰ বাবে—এখন গাৰীও পঠাই দিছে। সেই যে বুঢ়া চৌকিদাৰ জন ৰৈ আছে।" ইছাবেলে উচপ খাই উঠিল, কলে—"পিতাৰ অসুখ বেছি হৈছে ?" "অৱশ্যে সিমান বেছি হোৱা নাই তথাপি তেখেতে তোমাক

যেনেহওক ততালিকে যাবলৈ কৈছে। মোৰ লগে লগে আহা।"

"ধন্যবাদ মিঃ কার্লাইল; কিন্তু মই সঙ্গীত শেষ হলেহে যাম।" "নহয় তুমি এতিয়াই যাবগৈ লাগে। তেখেতৰ অৱস্থা সঙ্কটাপন্ন।"

"বাক, তেনেহলে এই গীতটো শেষ হলেই যাওঁ।"

"মোৰ বোধেৰে তুমি—খন্তেকো অপেক্ষা নকৰা। তুমি এই সঙ্গীত আকৌ শুনিবলৈ পাবা, কিন্তু পিতাৰাক..."

ইছাবেল মুহূর্ত্তকতে উঠিল—আৰু কার্লাইলৰ বাহুৰ মাজত হাত খন সুমাই দি খটখটিবে নামি আহিল। সকলোবে চকু কার্লাইল আৰু ইছাবেল—ডেকা ডেকেৰী হালধ ওপৰত। বিশেষকৈ বাৰবাৰাৰ চকুজুৰি কার্লাইল উঠি যোৱাৰ পৰা তেওঁলোকৰ ওপৰত। বাৰবাৰাই অন্তমনস্ক ভাৱে নিজে নিজে কৈ উঠিল, 'কার্লাইলে তেওঁক কলৈ লৈ যায়?"

কার্লাইল আৰু ইছাবেল গাৰীখনৰ ওচৰত থিয় হলগৈ, মানুহজনক সুধিলে, "পিতাৰ অসুখ আগতকৈও বেছি হৈছে?" মানুহজনে মুৰ দোৱাঁই উত্তৰ দিলে," হয় আইদেও। ডাঃ ওৱেন আৰু আন এজন ডাক্তৰ দেউতাৰ ওচৰত বহি আছে; কোনোবা এজনক আকৌ চুজন ডাক্তৰ আনিবলৈ পঠাইছে। তেওঁলোকে কয় যে দেউতা ৰাতি পুৱালৈ বাচাও টান।"

কথাশুনি ইছাবেল চিঞৰ মাৰি উঠি কার্লাইলৰ হাত চুখনত খামোছ মাৰি ধৰিলে। "আহা মিঃ কার্লাইল মোক কেলেই আগতে নকলে," বুলি কৈয়ে তেওঁ কঁপিবলৈ ধৰিলে।

কার্লাইল,—"মইনা, এতিয়াও যে তোমাক কৈছোঁ—তাকো অৱশ্য ভৰা চুপেৰেহে: কিন্তু শোক নকৰিবা, ধৈর্য্য ধৰা। তেখেতৰ সদায়তো অসুখ হয়েই; আজিও তেনে হৈছে চাগৈ। বৰ সাংঘাতিক নহলেই বক্ষা। উঠা, গাৰীৰ ভিতৰত বহাঁগৈ।"

"আপুনিও মোৰ লগতে বলক।"

কার্লাইলে অলপ সঙ্গীত মণ্ডলৈ চাই কলে, "বাক, বলা। তোমাক অকলে পঠিয়ামনে? মহো যাওঁ বলা।"

লেডী ইছাবেল গাৰীৰ ভিতৰত বহিলগৈ আৰু গাৰীৰ এফালে কার্লাইলৰ বাবে ঠাই এৰিলে। তাকে দেখি কার্লাইলে কৈ উঠিল, "নালাগে, তুমি ভালকৈ বহা। মই বাহিৰত বহিম।"

"বৰ চেঁচা লাগিল যে?"

"বাক হওক, কোনো ভয় নাই।" গাড়োৱানৰ লগত কার্লাইল বহিলগৈ। বুঢ়া চৌকিদাৰ জন গাৰীৰ পাছফালে উঠিলগৈ। গাৰোৱানে ঘোৰা কোবাই খেদিলে, গাৰী হৰ হৰকৈ যাবলৈ লাগিল।

গাৰী ইষ্টলিনি বাজ ভৱনৰ ফটকত লাগিলগৈ। মিছেছ মেডস্ নামৰ বুঢ়া মহিলা এগবাকীয়ে লেডী ইছাবেলক ভিতৰত পিতাকৰ মৃত্যু শয্যাৰ ওচৰলৈ লৈ গ'ল। কার্লাইলে বান্ধীজনীক ইঙ্গিত দি এফালৈকৈ মাতি নি সুধিলে, "কি, কোনো আশা আছে?" "অলপো আশা নাই দেউতা। তেখেত কোনোমতেই নাবাচে! সিফালে শেষেই হ'ল চাগৈ।"

লর্ড মাউন্ট চেভার্ণ—উইলিয়ামৰ অন্তিম অৱস্থা—বস্তি সুমাওঁ সুমাওঁ। কাকো চিনিবই নোৱাৰা হৈছে। হাত ভৰি চেঁচা পৰি তত নোহোৱা হৈ আহিছে। মৃত্যুৰ সকলো চিন দেখা দিছেহি। ইছাবেলে পিতাকৰ মুখ ফালে চাইছে চকু খাই উঠিল। ডাক্তৰক আগে বেগে সুধিলে, "পিতা এতিয়াই ভাল হবনে?"

ডাক্তৰে কাহ এটা মাৰি কলে "আশাকৰা উচিত আইদেও।"

কার্লাইলো ভিতৰলৈ সোমাই গ'ল। লর্ড উইলিয়ামৰ শেষ অৱস্থা দেখি তেওঁ শিহৰি উঠিল। ডাঃ ওৱেনক হাতৰ টিপতে বাহিৰলৈ মাতিলে। তাকে দেখি ইছাবেল কৈ উঠিল, "মিঃ কার্লাইল। আপুনি বাহিৰলৈ নাযাব; ইয়াতেই থাকক; পিতাই আপোনাক সাৰ পাই উঠি মাতিব পাৰে। তেখেতে আপোনাক খুব ভাল পায়।"

"কেতিয়াও নাযাওঁ আইদেও, মই ইয়াতেই আছোঁ।"

আকৌ চুজন ডাক্তৰ ভিতৰলৈ সোমাই আহিল। তেওঁলোকেও বোগীৰ নাড়ী পৰীক্ষা কৰিলে। বুহ আদি পৰীক্ষা কৰিলে,—বোগীৰ অৱস্থা আশাশূন্য পালে। ডাক্তৰ ওৱেনক মুখৰ ভিতৰত কিবা কলে আৰু আটাই কেইজনে কিছুপৰ টল্‌কামাৰি চাই থকা দেখি, ইছাবেলে ব্যস্তভাৱে সুধিলে, "আপোনালোকে কিবা কৰিব পাৰিবনে, তেখেতে আৰোগ্য লাভ কৰিবনে?" লেডী ইছাবেল একেবাৰেই বাউল হৈ উঠিল। তেওঁ চিঞৰ বাখৰ কৰা দেখি আৰু ইপিনে বোগীৰো অৱস্থা প্রায় শেষ দেখি তেওঁলোকে ইছাবেলক তাৰ পৰা আঁতবাই নিবলৈ কলে। কোনোবে ইছাবেলক পিতাকৰ মৃত্যুশয্যাৰ ওচৰৰ পৰা আঁতবাই নিব নোৱাৰিলে। শেহত গতি বিষম দেখি মিঃ কার্লাইলে নিজে গৈ তেওঁক বাহাই বুজাই কথাবোৰ কলে। "তেন্তে মই ইয়াৰ পৰা আঁতৰি মোৱা নিতান্ত আৱশ্যক—অন্ততঃ পিতাৰ পক্ষে?"

"এবা আইদেও, নিতান্ত আৱশ্যক।"

ইছাবেলে চনাই নানাতি আন এটা কোঠালীত সোমালগৈ আৰু এখন চোফাৰ ওপৰত মুৰে কপালে হাত দি বহি পৰিলগৈ। কার্লাইল ইছাবেলৰ ৰুগে লগে আছিল—কাৰণ ইছাবেল এতিয়া ধৈর্য্যহীন আৰু শোকাতুৰ হৈ উঠিল। পিতাকৰ অবিহনে যে তেওঁৰ কি অৱস্থা হব, বোধহয় সেইবোৰ ভাবিয়ে সংঘাতত অপবিপক্ক আজলী—ইছাবেল একেবাৰে বাউল হৈ উঠিল। তেওঁ কার্লাইলক মাতিলে।

"মিঃ কার্লাইল?"

"মইনা, মই ইয়াতেই আছোঁ। কি লাগে তোমাক?"

"মোক পিতাৰ ওচৰবপৰা আঁতবাই আনিলে; কিন্তু প্রতি মুহূর্ত্ততে আপুনি মোক তেওঁৰ অৱস্থাৰ খবৰ কৈ থাকিব লাগিব।"

"বাক, কোনো ভয় নাই মইনা। তুমি নিশ্চিন্ত থাকা।"

ইছাবেলৰ কঁপনি অৰ উঠিল। বান্ধীজনীয়ে সঙ্গীত ভাওনালৈ পিন্ধিউৰি যোৱা কাপোৰ, কানি, অলঙ্কাৰ পাতি সকলোকে থহাইনি সাধাৰণ সাজ-পাৰ পিন্ধাই দিলে। কার্লাইলে প্রায় মিনিট অন্তৰে অন্তৰে বোগীৰ খবৰ—আচল কথা লুকাই বাখি কবলৈ ধৰিলে। মাউন্ট চেভার্ণ লর্ড উইলিয়াম ভেন্—সংসাৰৰ সকলো মায়া মোহ, শোক-তাপ, জ্বালা যন্ত্রণা এৰিযৈ মহাপ্রয়াণ কৰিলে। শান্তি! শান্তি!! শান্তি!! প্রভুৰে তেখেতৰ আত্মাৰ সদ্গতি কৰক ডাক্তৰ কেইজন ওছি গলগৈ কেবল মৃত্যুশয্যাৰ ওচৰত থাকিল ডাঃ ওৱেন আৰু লিগিৰী এজনী।

শেহনিশা ইছাবেল একেবাৰে অধৈর্য্য হৈ উঠিল; চিঞৰ বাখৰ লগালে—কোনোমতে ধৰিও বাখিব নোৱাৰা হ'ল। কেবল "পিতাৰ তালৈ যাওঁ পিতাৰ তালৈ যাওঁ" বুলি কান্দে—আৰু দুৱাৰ মেলি বাহিৰলৈ আহিব খোজে। কার্লাইলে দুৱাৰ বন্ধ কৰি পিঠিবে হেঁচামাৰি ধৰি—ইছাবেলক ধৰি থাকিল। তেওঁ খণ্ডতে কবলৈ ধৰিলে, "কার্লাইল, তোমাৰ পিতাৰ দুকাণ্ডতে তোমাকো এনেকে বন্ধ কৰি থৈছিল নে? মোক কেলেই যাবলৈ নিদিয়া?"

"মবমৰ মইনা, পুৰুষৰ অন্তৰ আৰু তিবোতাৰ অন্তৰ একে নহয়।" "মই মোৰ দাদীক জানো কার্লাইল। মই তোমাৰ ওচৰত—তোমাৰ সজ্ঞাগৰবাবে চিবস্তব্ধ, কিন্তু সেইবুলি তুমি মোক—কোনোকামতে বাধা দিবলৈ নোৱাবা। মোক পিতাৰ ওচৰলৈ যাব নিদিয়াকৈ বাখিবৰ তোমাৰ কোনো ক্ষমতা নাই। মই এবাৰ তালৈ যাওঁগৈ। এবি দিয়া।"

"ক্ষমা কৰিবা মইনা। মই তোমাক কোনোমতে তালৈ যাব দিব নোৱাৰোঁ।" ইছাবেলে আৰৈ-বিবৈকৈ কান্দিব ধৰিলে। "তেওঁ মোৰ চেনেহৰ পিতা। তেওঁৰ বাহিবে মোৰ সংসাৰত কেওঁ নাই।"

"জানো, মইনা জানো। তুমি যে আজি পিতৃশোকত অস্থিৰ হৈছা তাকো ভালকৈ জানো। কিন্তু কি কবিম, শান্ত হোৱা।"

"তেনেহলে কোৱা, মোক এনেকে কিয় বাখিছা। মই তেওঁক আমনি কবিবগৈ বুলি ভাবিছা নেকি?"

"তেওঁৰ অৱস্থা বৰ বেয়া। এই অৱস্থাত তেওঁ তোমাক দেখা কবিব বা তোমাৰ লগত কথা পাতিব নোৱাৰে। তুমি যদি কাবো হাকা বাধা নামানি মোৱা তেন্তে তাৰ বাবে তুমি গোটেই জীৱনব্যাপি অনুতাপ কবিব লাগিব।"

"তেনহলে তেওঁ মৃত্যুৰ দুৱাৰ দলিত ?"

মিঃ কার্লাইল বিমোৰত পৰিল। এতিয়াও কথা লুকাই ৰাখা উচিতনে ? যি হৱৰ লৈ গ'ল। তাক লুকাই ৰাখাত লাভ নাই। কার্লাইলে নামাতা দেখি আকৌ কলে "মই তোমাক বিশ্বাস কৰিছোঁ, শপত দিছোঁ, মোক মিছা নকবা, ফাঁকি নিদিবা।" কার্লাইলে একোপধো উপায় নাপাই কলে, "বোধ কৰোঁ তেওঁ আৰু ইহসংসাৰত নাই—মোৰ বিশ্বাস এয়ে।"

ইছাবেল জাপমাৰি উঠিল। ভয়তে কার্লাইলৰ হাতখনত ৰামেছমাৰি ধৰি কৈ গ'ল। "অ,' মোক তুমি অতবাৰ ফাঁকি দিছিলা ?" "ফাঁকি দিয়া নাই মইনা। তেওঁৰ এতিয়াও মৃত্যু হোৱা নাই, মুহূর্ত্তকতে হব পাৰে।" ইছাবেলে গাকৰ ওপৰত মুখখন থৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে—তেওঁ মোৰ পৰা চিৰকাললৈ আঁতৰি গল। আৰু উভতি নাহে ! পিতা ! পিতা !! কার্লাইল, মোক এৰি দিয়া, পিতাক শেহবাৰ চাই লওঁ।"

"বাক মই চাই আহোঁগৈ, তুমি ইয়াতেই বহি থাকা, তুমি নাহিবা, মই ততালিকে আহিম।"

মিঃ কার্লাইল মৃত্যুশয্যাৰ ওচৰ পালেগৈ, দেখে—সকলো শেষ। লর্ড উইলিয়ামৰ প্রাণপক্ষী কেতিয়াবাই উৰি গৈ অনন্ত আকাশত লীন হৈছে গৈ। কার্লাইল উভতি আহি লেডী ইছাবেলক কাষতে বহুৱাই লৈ হাতদুখন পিহিপিহি সান্ত্বনা দিবলৈ ধৰিলে, "শোক নকৰিবা আইদেউ।"

"তেন্তে পিতা নাই ?"

"নাই আইদেও নাই ; তেখেতে অথনিয়ে ইহলীলা সামৰিলে।"

"পিতা ! পিতা !! পিতা !!" লেডী ইছাবেল সেইদিনে ঢলি পৰিল।

—আগলৈ

সেতু-বন্ধ ৰামেশ্বৰম্

—শ্রীযুত মাধবচন্দ্র বেজবৰুৱা বি-এ

তীর্থযাত্রা কৰাৰ ভাগ্য পুৰ্ব্বজন্মৰ সুকৰ্ম্মফল বুলিছে হিন্দুসকলে ভাবে আৰু যেতিয়ালৈকে তেওঁলোকে ভাৰতৰ কাশী আৰু দক্ষিণ ভাৰতত ধনুস্কোটি আৰু ৰামেশ্বৰমত স্নান কৰিব নোৱাৰে তেতিয়ালৈকে তেওঁ লোকৰ তীর্থ যাত্রা সম্পূর্ণ হ'ল বুলি নেভাবে। তেওঁলোকৰ এনে এটা বিশ্বাস আছে যে কাশীৰ গঙ্গাত স্নান কৰি তাৰ গঙ্গা-জল ভাব বৈ নি ৰামেশ্বৰমৰ শিব লিঙৰ ওপৰত ঢালি আকৌ ধনুস্কোটিৰ পৰা পৰিত্র বালি আনি আকৌ গঙ্গাত নেপেলাইহি মানে তেওঁলোকৰ তীর্থযাত্রাৰ ফল ধৰিলে বুলি নেভাবে। সেই উদ্দেশ্যে দৈনিক হাজাৰে হাজাৰে তীর্থ যাত্রীয়ে গোটেই ভাৰতৰ পৰা এই দুখন পৰিত্র ঠাইলৈ গমনাগমন কৰে আৰু এই তীর্থ যাত্রা বেল জাহাজ নচলাৰ দিনৰে পৰা আছিছে। এই দুখন ঠাইত দৈনিক যি যাত্রীৰ ভিৰ পৰে তেনে ভিৰ অইন কোনো ঠাইতে নপৰে আৰু এই কাৰণেই এই ঠাই দুখন ভাৰতৰ ভিতৰত সৰাতকৈ পবিত্র ঠাই বুলি জনাজাত।

লিখকে ভাৰতৰ নানা ঠাইত ঘুৰাতে যদিও কোনো ঠাইলৈকে তীর্থ কৰিবলৈ মোৰা মানসা লৈ মোৰা নাই তথাপি লিখকৰ ভ্রমণ তালিকাত অজাতে তীর্থঠাইবোৰৰ সংখ্যাই বেছি ঠাই পাইছে। ১৯২৯ চনত উত্তৰ ভাৰত ভ্রমণ কৰিবলৈ যাওঁতে লিখকৰ প্রথম ঠাই ভ্রমণ কৰা হয় এই কাশী মহাধামেই। সেইদেৰেই ১৯৩২ চনৰ দাক্ষিণাত্য ভ্রমণতো লিখকৰ ইখন প্রসিদ্ধ পবিত্র ঠাই সেতু-বন্ধ ৰামেশ্বৰলৈ যাত্রা কৰা সুবিধা মিলিছিল। এই প্রস্তুত ৰামেশ্বৰ আৰু তাৰ ওচৰত থকা ধনুস্কোটিৰ বিষয়ে এটি বিৰৰণ দিয়াই লিখকৰ উদ্দেশ্য।

সেই উদ্দেশ্যেৰেই ১৯৩২ চনৰ ২৯ মেই তাৰিখে মাদুৰা চহৰৰ পৰা ৰাতি ১২-৪৬ মিঃ মোৱাত যাত্রা কৰি পিছ দিনা ৰাতি পুৱাৰ লগে লগে দোকমোকালিৰ চনপোহৰতে গৈ ভাৰতবর্ষৰ শেষ সীমা মণ্ডপম নামে চহৰ পালোগৈ। তাৰ পৰা ৰামেশ্বৰ দ্বীপ পাম্বান খাল (Pamban) পাৰ হলেই পোৱা যায়। এই খাল পাৰহৰৰ অর্থে ১৯১৭ চনত ইয়াৰ ওপৰেদি প্রায় ১মাইল দীঘল এখন দলং তৈয়াৰ কৰে আৰু এই দলঙৰ নাম Adam's Bridge ৰাখিছে। এই



বিখ্যাত দলং Adam's Bridge (মাষ্কাতাৰ দলং)—এই দলঙৰ কাষৰে কাষৰে আগেয়ে এটা শিলৰ শাকো আছিল। তাৰ চিন এতিয়াও আছে।

দলং পৃথিবীৰ ভিতৰত ডাঙৰ দলঙৰ ভিতৰত এখন বুলি জনাজাত--অৱশ্যে দীর্ঘত্বত নহয়। এই দলং সঙ্গাৰ আগেয়ে এই পাম্বান খালৰ ওপৰত প্রকাণ্ড অসংখ্য শিলৰে কৰা এখন সেতু আছিল আৰু এই সেতু শ্রীৰামচন্দ্রই সীতাক উদ্ধাৰ কৰিবলৈ সজা প্রথম সেতু বুলি কয়। এই সেতুৰ চিন যদিও আজিকালি প্রায় দেখিবলৈ নাই তথাপি, মাজে মাজে একোডৱা বৰ ডাঙৰ ডাঙৰ শিল এতিয়াও Adam's Bridge ৰ কাষে কাষে দেখিবলৈ পোৱা যায়। এই দলং সাজোতেই এই সেতুৰ শিলবোৰ ওচাই দি দলঙৰ মাজেদি জাহাজ অহা যোৱা কৰিবৰ সুবিধা কৰি লৈছে। জানিবলৈ পোৱা যায় যে এই সেতুৰ ওপৰেদি আজি কেৱাবছৰৰ আগলৈকে ডাঙৰ ডাঙৰ শোভাযাত্রা আদি অনায়াসে পাৰ হৈ অহা যোৱা কৰিব পাৰিছিল। কিন্তু আজি জাহাজ কোম্পানীৰ চমু বাস্তা কৰিবৰ কাৰণে এই সেতুৰ চিনচাব নোথোৱা কৰিলে আৰু তাৰ লগে লগে এটা পুৰণি চিজু লোপ পালে।

দলংখন ছটা ভাগত বিভক্ত আৰু মাজতে এটা জোৰা আছে, জাহাজ অহা যোৱা কৰিবৰ সময়ত এই জোৰা ওচাই দিয়া হয় আৰু সেতিয়া বেল যাবৰ হয় তেতিয়া এই জোৰা লগাই দিয়া হয়। লণ্ডত দিয়া Adam's Bridge ৰ ছবিখনেই তাৰ ওপৰত থকা বেলখন অহাৰ সময়ৰ অৱস্থা দেখুৱাইছে।

সেই দলংখন পাৰ হৈয়েই পাম্বান জংচন পোৱা যায়। এই পাম্বান জংচনৰ পৰা বেলৰ চটা শাখা দুফালে ফাট গৈছে—এটা ৰামেশ্বৰ মন্দিৰৰ ফালে আৰু ইটো ধনুস্কোটিলৈ। এই পিছৰ শাখাটোৱেদি প্রায় ২১ মাইল গলেই ধনুস্কোটি পায় আৰু তাৰ পৰা লঙ্কালৈ (Ceylon) যাব লাগে। পাম্বান নগৰ খন তিমান চকুতলগা নহয়। ইয়াত দুই চাৰিটাহে ভাল ঘৰ দেখিবলৈ পোৱা যায় আৰু সেই প্রায় বোৰেই গৱর্ণমেণ্ট বা অন্য কোনো ফার্ম্মৰ ঘৰ। সাধাৰণ আলিবোৰ বালিৰেই ভৰা আৰু মানুহৰ প্রায়বোৰ ঘৰেই তাল পাতেৰে সজা। মানুহৰ সংখ্যাও সেইদৰে নিচেই তাকৰ। তাৰপৰা নাৰিকল আৰু শুকানমাছ ভালদৰে চালান হয় আৰু তাৰি বদৰ কাৰবাৰ ভালদৰে চলে। তাত এটা ডাঙৰ লাইট হাউচ (Light House) আৰু 'কেবোল' (Cable) ষ্টেশ্চন আছে। ৰামেশ্বৰলৈ যোৱা যাত্রীবোৰে ইয়াত এদিন থাকি জিৰাই যায়।

ৰামেশ্বৰম্ গোটেই দ্বীপটো দীঘলে প্রায় ২৫মাইল। ইয়াৰ পশ্চিম কোণৰ শেহৰ ৮ মাইলমানৰ বহল কেবল ৩ মাইলমানহে হব। এনেয়ে সাধাৰণতে দ্বীপটো বহল প্রায় ১১ মাইলমান। বাকিডোখৰ মান্নাৰ দ্বীপৰ ফালে ঢালগাই যোৱা কেবল এটা ডাঙৰ বালিৰ চৰত দৰে।

এই দ্বীপটো বালিবেই ভৰা আৰু সেইকাৰণে বেলৰ আলিৰ সৰহভাগ বাট বালিৰ ওপৰেদি নিৰ লগা হোৱাত

হাজাৰ বছৰ ধৰি হিন্দুৰ মনত ই স্বৰ্গতুল্য হৈ আছে। ইয়াৰ মন্দিৰটো "গন্ধমাদন" পৰ্ব্বত নামে এটি সৰু টিলাৰ ওপৰত অবস্থিত আৰু এই কাৰণে ইয়াক ধনুষ্কোটিৰ পৰাও বিণিকি বিণিকি দেখিবলৈ পোৱা যায়। ৰাবন বধ কৰি আহি সীতাক উদ্ধাৰ কৰি আনি ৰাবণ-বধ পাপৰ পৰা মুক্ত পাবৰ উদ্দেশ্যতেই এই "গন্ধমাদন" পৰ্ব্বতৰ ওপৰতেই এটা লিঙ্গ স্থাপন কৰি শ্ৰীৰামচন্দ্ৰই শিবপূজা কৰে আৰু পিছত "ৰামনাদ"ৰ (Ramnad) বিখ্যাত সেতুপতি সকলে ইয়াৰ ওপৰতে এটি মন্দিৰ সজাই শ্ৰীৰামচন্দ্ৰৰ হতুৱাই ইয়াৰ উদ্বোধন কাৰ্য্য সমাপন কৰোৱা হয় বুলি কয়। এই মন্দিৰৰ পৰা দূবৈত সাগৰৰ মাজত কিছুমান সৰু সৰু টিলা দেখিবলৈ পোৱা যায় আৰু এই টিলাবোৰেই শ্ৰীৰামচন্দ্ৰই সীতাক উদ্ধাৰ কৰিবলৈ বন্ধা প্ৰকাণ্ড প্ৰধান



Adam's Bridge বলাৰ নিগাৰে থকা ৰামেশ্বৰ দ্বীপৰ পাষাণ নগৰৰ দৃশ্য



বিখ্যাত ৰামেশ্বৰম মন্দিৰ

বেল কোম্পানীৰ অশেষ খৰচ হয়। কিন্তু যাত্ৰীৰ সমাগমৰ পৰা পোৱা টকাৰে চাই বেল কোম্পানীয়েও তাৰ কাৰণে যথেষ্ট টকা ভাঙিবলৈ পাছ নোহোহকে। দ্বীপটোত সাধাৰণতে নাৰিকল আৰু তালগছহে পোৱা যায়। অন্য কোনো গছ পোৱা নেযায়। কোনো কোনো ঠাইত ঠিক ছাটিটোৰ নিচিনা আগ গোপা "বাবুল" গছবোৰ ইমান একেবাহে ঘনকৈ থকা পোৱা যায় যে সেইবোৰ দেখিলে মনতে এটা ধাৰণা হয় যেন কোনোবাই তেনেদৰে বোৱাই দিলেহে। মানুহে বিশ্বাস কৰে যে মেতিয়া শ্ৰীৰামচন্দ্ৰই সীতাৰ অন্বেষণত সেইফালেদি যায় তেতিয়া সেই গছবোৰে তেওঁৰ গাত ছাঁ পেলাই গৈছিল আৰু তাৰ মাজে মাজে থকা নাৰিকল, তাল আৰু তেতেলী গছবোৰে ৰস যোগাই তেওঁৰ পিয়াহ মাৰিছিল, বাস্তবিকতে গছ বোৰক দেখিলে তেনে এটা কিবা ৰহস্য থকা যেন মনে হয়। পাষাণৰ পৰা ৮ মাইল দীঘল এটা লোকালবোৰ্ডৰ আলি ৰামেশ্বৰ মন্দিৰলৈ গৈছে আৰু এই আলিয়েদি জাৎকা গাৰীৰে (jatka) যাবলৈ হলে প্ৰায় ১½ ঘণ্টা সময় লাগে।

ৰামায়ণৰ বিখ্যাত বীৰ শ্ৰীৰামচন্দ্ৰই ৰামেশ্বৰম ঠাইখন আবিষ্কাৰ কৰে আৰু সেই দিনৰ পৰা আজিলৈকে হাজাৰ

অসম্ভবপূৰ্ণ বিষয়ণ পোৱা যায় সেই বিষয়ণৰ কিছু সত্যতা এইবোৰ দেখিলেই বুজিব পাৰি এইবোৰ চিহ্ন দেখিলে বেচকৈ কব পাৰি যে ৰামায়ণখন কাল্পনিক নহয়—তাত বাস্তবিকতাও পোৱা যায়।

ৰামেশ্বৰম মন্দিৰটোৰ বিষয়ে বিখ্যাত প্ৰত্নতত্ত্বিদ পণ্ডিত Fergussonএ লিখিছে :—

"If it were proposed to select one temple which should exhibit all the beauties of the Dravidian style in their great perfection, and at the same time exemplify all the characteristic defects of design, the choice would almost inevitably fall on that at Rameswaram in the island of Pamban"

অৰ্থাৎ দ্ৰাবিড়ীয় মন্দিৰৰ গঠনৰ বৈশিষ্ট্যপূৰ্ণ সম্পূৰ্ণ নিখুনতা থকা আৰু তাৰ লগে লগে সকলোবোৰ বৈশিষ্ট্যপূৰ্ণ দোষৰ চানেকীৰ যদি এটা মন্দিৰ দেখুৱাব লগা হয় তেন্তে সেই পাষাণ দ্বীপত ৰামেশ্বৰম্ মন্দিৰলৈকে আঙুলিয়াব লাগিব। তেওঁৰ মতে এই মন্দিৰতে দ্ৰাবিড়ীদেশীয় সকলো কাৰুকাৰ্য্যৰ চিন পোৱা যায়। ইয়াৰ গঠনটো নিয়মিত কিন্তু গঢ় প্ৰকাণ্ড। দ্ৰাবিড়ী দেশীয় অন্য মন্দিৰৰ দৰে ইয়াৰ গোপৰম্ আছে কিন্তু তাৰ কেবল এটাহে সম্পূৰ্ণৰূপে সজা। এই মন্দিৰৰ কাৰুকাৰ্য্যতে দ্ৰাবিড়ী দেশীয় সকলো শিল্পৰ আহিলা নিহিত। এই মন্দিৰ কিমান দিনীয়া পুৰণি তাক অনুমান কৰিব নোৱাৰি, কাৰণ, শ্ৰীৰামচন্দ্ৰই নিজে ইয়াক উদ্বোধন কৰিছে। যদিও পুৰণি, ইয়াৰ গঢ় চমৎকাৰ আৰু গঠন প্ৰকাণ্ড। এই মন্দিৰৰ চাৰিওফালে থকা বুলনিৰ ভিতৰ চবাই সোমালে কোনোৱা এখন দেৱতা পুৰীত সোমোৱা যেন লাগে। এই বুলনিৰ দীৰ্ঘত্ব ৪০০০ ফুট আৰু ইয়াৰ সৌন্দৰ্য্য লখত দিয়া ছবিখনতে ফুটি ওলাইছে। ইয়াৰ উপৰিও মন্দিৰটি ইটাৰ ওপৰত সিটোকৈ তিনিটা ভেটিৰ ওপৰত সজা হৈছিল। প্ৰথম ভেটিটো দীঘলে ১০০০ ফুট আৰু বহলে ৬০০ ফুট আৰু দ্বিতীয় ভেটিটো দীঘলে ৫০০ ফুট বহলে ৩০০ফুট। এই ভেট কেটা শিলবে তৈয়াৰ কৰা হৈছিল আৰু এই শিল একোছাটা বৰ দীঘল আছিল। এই শিলবোৰ অনেক খনচ কৰি পাষান সাগৰৰ সিপাৰৰ ভাৰতৰ পৰা আনা হৈছিল।

এই মন্দিৰত সদায়েই উৎসৱ চলি থাকে। ইয়াৰ উপৰিও উৎসবে তিথিয়ে বেছ সমাবোহ হয়। বিশেষকৈ ফুলাই মাহত পৰা 'আদি অমাবস্যা' তিথিত গোটেই ভাৰতৰ লাখ লাখ মানুহ জমা হয়। এই উৎসবেই বছৰেকৰ ভিতৰত ডাঙৰ উৎসব। তাৰ বাহিৰে শুকুৰবাৰে



ৰামেশ্বৰম্ মন্দিৰৰ বুলনিৰ ভিতৰ-চৰা

মন্দিৰৰ "উৎসৱ বেৰম," অৰ্থাৎ উৎসৱৰ মূৰ্ত্তি বাহিৰলৈ আনি মন্দিৰৰ চাৰিওফালে ঘুৰাই শোভাযাত্ৰা কৰা হয়। এই উৎসবোবৰ বাহিৰেও সদায়েই মন্দিৰৰ ধুম-ধামকৈ পূজা সেৱা আৰু যাত্ৰীৰ দৰ্শন হৈ থাকে। যাত্ৰীসকলে ইয়াত দৰ্শন কৰিবলৈ আহাৰ আগেয়ে ধনুষ্কোটিত স্নান কৰি আহিব লাগে। আৰু গঙ্গাৰ পৰা আনা পানী এই লিঙ্গৰ ওপৰত ঢালিলে যাত্ৰীৰ অশেষ পুণ্য হয় বুলি ভাবে। তাৰ উপৰিও এই শ্ৰীৰামচন্দ্ৰই স্থাপন কৰা লিঙ্গৰ ওপৰত দৈনিক গঙ্গাৰ পৰা পানী আনি ঢলা হয়। এই পানী বৰ পবিত্ৰ বুলি ভাবে। যাত্ৰী সকলে বিচাৰি হাবাথুৰি খাই ফুৰে। এই পানী আৰু তাৰ লগে লগে সেন্দুৰ, ফাকু, বিভূতি মন্দিৰৰ বাহিৰত প্ৰসাদ বুলি বিক্ৰী হয়। সাধাৰণতে এইবোৰ ৰঙাৰৰ গৰাহে আনি তাকে মন্দিৰৰ প্ৰসাদ বুলি বিক্ৰী কৰে। এনেধৰণৰ ধৰ্ম্মৰ

দোকান ভারতব প্রত্যেক তীর্থ ফেত্রতে সদায়েই চলি থাকে। ধর্ম্মব নামত ধন ঘটা এই বেপাৰী সকলব বুদ্ধি। পুৰীব প্রায়বোব মাহ প্রসাদ, বামেশ্বৰব প্রায়বোব সেন্দুৰ, ফাকু আক বিভূতি মন্দিৰব পৰা আহিবলৈকে নাপায়। সেইবোব মন্দিৰতে শেষ হৈ যায়। বাজত বিক্রী হোৱা সকলো দোকানিৰ পোহাৰহে। কিন্তু ধর্ম্মনিষ্ঠ হিন্দুৰে তাকে অতি পৱিত্র ভাবে ভগবানব প্রসাদ বুলি গ্রহণ কবে। ইয়াতেই হিন্দুব বিশিষ্টতা দেখা যায়।

বামেশ্বৰ মন্দিৰত অশেষ ধনসম্পত্তি মণি-মুকুতা আছে। মন্দিৰব প্রত্যেক ঠাইতে নানা ধৰণব অলঙ্কাৰব সাজ-সজ্জা দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰিও মাটি-বাৰী আদি যি সম্পত্তি আছে তাৰ বাৰ্ষিক উৎপন্ন প্রায় ১২০০০৲ টকা বুলি হিচাব কবি পোৱা গৈছে। এই হিন্দু মন্দিৰ বোবেই হিন্দুব আদর্শ ধাত্রি ধবিছে। আগেয়ে বাজাব সম্পত্তি জমা হৈছিল মন্দিৰত এতিয়া বাজাব সম্পত্তি খবচ হৈছে নিজব সুখ বাসনাত।

পাম্বান জংচনব পৰা ইটো শাখালৈদি ১৭ মাইল গলে ধনুস্কোটি বন্দব আক ধনুস্কোটি ষ্টেশ্বন পোৱা যায় (Dhonushkodi station & Post) এই বেলব আলিটো প্রায় ৮ মাইল বাট কেবল বালিব ওপৰতেই গৈছে। চাবিফালে ঘব-বাৰী দেখিবলৈ পোৱা নাযায়। কেবল বালিব চত আক সক সক কুহিলা আদি গছব জোপা। ইয়াত ইমান বালি জমা হয় যে সময়ে সময়ে বেলব আলি পোত ঘুৰাই পেলায় আক সেই কাৰণে বেলব আলীবোব বদলি কবি থাকিব লাগে। বামেশ্বৰমব ওচবতে বহুত দিনব আগতে কোদাণ্ডৰাম কইল নামে এটা সক মন্দিব আছিল। সময়ব গতিত সেই মন্দিৰটো বালিয়েই পুতি পেলাইছিল। আজি কিছুদিনব আগতে এই মন্দিৰটি খান্দি উলিওৱা হৈছে আক এতিয়া তাত যাত্রীব ভিব ভালদবেই হয়।

ধনুস্কোটিব বিষয়ে এটি পুৰবি কিম্বদন্তি আছে। শ্রীৰামচন্দ্রই সেতু বান্ধি সীতাক উদ্ধাৰ কবি আহি সেই সেতুটো তেঁৱে দেখুৱে কৌচ ভাগ কবি কাটিলে আক সেই কাৰণেই সেই ঠাইব নাম ধনুস্কোটি হল। ধনুস্কোটি এটা ডাঙৰ বন্দব আক ইয়াব ষ্টেশ্বনটোও বৰ ডাঙৰ। এই বন্দবটোব পৰাই সদায় লঙ্কালৈ যাতায়াত কবা হয় দেখিছে ই প্রসিদ্ধ আক সদায় ধনুস্কোটিলৈ লাগে লাগে



ধনুস্কোটিব বন্দবব দৃশ্য (Pier)

লঙ্কালৈ (Ceylon) যোৱা জাহাজলৈকে যাব পৰাকৈ দিয়া সাগৰব ওপৰত দলং (Pier)

যাত্রী আহি স্নান কবে দেখিয়েই ই প্রসিদ্ধ। সাধাৰণতে আবেলি এখন জাহাজ লঙ্কালৈ (Ceylon) বাওনা হয় আক তাব পৰা এদিনতে লঙ্কা পায়গৈ। লঙ্কাব পৰাও জাহাজ আহি পুৱাই পায়হি। বেল গাবীখন সাগৰব মাজলৈ সোমাই যোৱা এখন দলং (Pier) ব ওপৰলৈ গৈ জাহাজব ওবি পায়গৈ। তেতিয়া ইয়াব দৃশ্য দেখিবলৈ বৰ ভাল হয়। লগত দিয়া ছবিখনেই তাক দেখুৱাইছে। জাহাজব পৰা মানুহবোব পালেহি দেখিবলৈ বৰ ভাল হয়। তেতিয়া Custom officer এ সকলোবে মাল পত্র পৰীক্ষা কবি চায়।

ধনুস্কোটি ষ্টেশ্বনব পৰা ধনুস্কোটি স্নান ঘাটলৈ প্রায় ২॥ মাইল ৩ মাইলব ভিতবতে পবে। এই ঘাট সদায় একে ঠাইতে নেথাকে। সাগৰব পানী বঢ়া টুটা লৈ ইবদলি হয়। কেতিয়াবা ষ্টেশ্বনব ওচবতে হয়। এই ঘাটলৈ সদায় বালিব ওপৰেদি খোজ কাঢ়ি যাব লাগে। অন্য একো সুবিধা নাই। ষ্টেশ্বনব ওচবতে এটা ডাঙৰ

ধৰমশালা আছে। তাত যাত্রীব ভয়ঙ্কৰ ভিব হয়। কেতিয়াবা তাত ভিবদি পাবলৈ নোহোৱা হয়—বিশেষকৈ উৎসবব সময়ত। তেতিয়া তাত থকা অসম্ভব হৈ পবে। এই ধৰমশালাতে ভাৰতব নানা দেশব মানুহ দেখিবলৈ পোৱা যায়। ধনীব পৰা দুখীয়ালৈকে, বঙ্গা-জমীদাবব পৰা সাধাৰণ প্রজালৈকে সকলোমানুহে সেই ধৰমশালাতেই আশ্রয় লব লগীয়াত পবে। বাতিপুৱা বেল অহাব লগে লগে যাত্রীব ভিব বেছি হয় আক গধূলি আকৌ গাবী যোৱাব লগে লগেই যাত্রীব ভিবো কমি যায়। পুৱা যাত্রী অহাব লগে লগে পাণ্ডাবোবে আহি টনা-আজোবা কবেহি। পাণ্ডা সকলব টনা আজোবাব পৰা বক্ষা পৰা বব টান। ভাৰতব ভিতবত অসময কামাখ্যাব বাহিবে অন্যকোনো ঠাইতে পাণ্ডাব অত্যাচাব কম নহয়। সেই পাণ্ডাবোবে বেছ ধর্ম্মব দোকান পাতি দোকানী হৈ পবে। পাণ্ডাবোবে বেছ সুবিধা কবি নি স্নান আদি কবাই মেলি দিয়ে। লগত লবা তিবোতা লৈ যোৱা যাত্রীব পাণ্ডাব সহায় নললে বহুত অসুবিধা পোৱা যায়। তাব পাণ্ডাবোব কেবল দ্রাবিড়ীদেশীয় মানুহেই নহয় তাত গোটেই ভাৰতবে পাণ্ডা পোৱা যায়। তাব ভিতবত কাশীব পাণ্ডাবেই সংখ্যা বেছি। ধনুস্কোটিত থাকি দ্রাবিড়দেশব কোনো ঠাইত থকা বুলি কব নোৱাবি। তাত থাকিলে এখন ভাৰতীয় ঠাইত থকা যেন অনুমান হয়। তাত কোনো প্রাদেশিক বা আপোন পেটীয়া ভাব নাই। সকলোবে সমান অধিকাব। ভাৰতব প্রায় বোব প্রধান তীর্থ ঠাইতে এই সার্ব্বজনীন ভাব (Cosmopolitanism) পোৱা যায়। ইয়ো ভাৰতীয় তীর্থঠাইব বিশিষ্টতা।

ধনুস্কোটিব ওচবতে বঙ্গোপসাগব আক আৰব সাগৰব সংগম হৈছে। আৰব সাগৰব গতি প্রচণ্ড আক ঢৌব কোব ভয়াবহ ; কিন্তু বঙ্গোপসাগৰব গতি ধীব, স্থিব আক শান্ত। সেই কাৰণে মানুহে স্নান কবা ঘাট বঙ্গোপ-সাগৰব ফালেই লবি গৈছে। সাগৰব ঢৌব কোবত নানা ধৰণব কড়ি, শামুক আক শঙ্খ আদি আহি পাবত পবেহি আক সেই বোব প্রায় যাত্রীয়েই কোচ ভবাই লৈ আছে। ময়ো তেনে ধৰণব বহুত ধুনীয়া ধুনীয়া শামুক লৈ আহিছিলো।

বামেশ্বৰম্ দ্বীপত মই এসপ্তাহ আছিলো। এই সাত দিনতেই মই এটাই কেপন ঠাই চাই ললো। এই কেদিন থাকি মোব তাত অনেক ভাল লাগিছিল, কাৰণ তাত সকলো প্রদেশবে মানুহ লগ পোৱা গৈছিল। প্রত্যেক দিনেই অসময বাহিবে অন্য সকলো প্রদেশবে এজন নহয় এজনক দেখা পোৱা যায়। তাত থাকিলে এনে অনুমান হয় যে ভাৰতীয়ব মাজত বিভিন্নতা নাই। সকলো মানুহেই "এক আইব সন্তান"। আজি আমি একতাব বিষয়ে চিঞৰিব লাগিছো। চাবিওফালে একতা একতা বুলি সকলোৱে হাবিয়াস কবিব লাগিছে। কিন্তু প্রকৃত একতা, প্রকৃত ঐক্যভাব আমি আমাব তীর্থ ঠাই বোবতেই পাওঁ। হিন্দু ধর্ম্মই এসময়ত যি ঐক্য ধর্ম্ম প্রচাব কবিছিল সেই সনাতন ঐক্য ধর্ম্মব স্থলি আদিম তীর্থক্ষেত্র। তীর্থক্ষেত্রব অন্য একো মানে থাকিব নোৱাবে। ইয়াত প্রধান অর্থ এয়েই আছিল যে যতেই সকলো হিন্দু মাত্রই জাতি, বর্ণ ভেদে গোটখাই পুজা সেৱা অর্চ্চনা কবিব পাবিছিল সেয়েই তীর্থ স্থান। হায়, আজি সেই তীর্থ স্থানব ঠাই কত! আজিব তীর্থ স্থানত অনৈক্য, হাই কাজিয়া আক দাঙ্গা-হাঙ্গামাহে দেখিবলৈ পোৱা যায়। তথাপিও এতিয়াও সেই পৱিত্র বামেশ্বৰমত প্রকৃত ঐক্য দেখিবলৈ পোৱা যায় আক সেই কাৰণে সি আজি প্রকৃত তীর্থ ঠাই বুলিব পাবি। হয় ভাৰতবাসী, তোমালোকে আজিও কাশী, বামেশ্বৰ আদি তীর্থ ঠাই বোবে লৈয়েই সার্থক মানিছা আক তাব লগে লগে পৃথিবীক একতাব বাণী শুনাব পাবিছা।

ভাষা, সাহিত্য আৰু সমাজ

—মৌলবী মহম্মদ মুহিবুল্লা বি-এ, ই-এ-চি

Man is a Social being অর্থাৎ মানুহ মাত্রেই সঙ্গপ্রিয়। মানুহক লগ লাগে। সি অকলে থাকিব নোৱাৰে আৰু নতুবা মতা মাইকী দুটি জীৱ কেতিয়াও সৃষ্টি নকৰিলেহেতেন। যাক মানুহৰ সঙ্গ নেলাগে সি বৈৰাগী বা ফকিৰ। ইংৰাজীত এফাঁকি কথা আছে Man without society is either a god or a beast" অর্থাৎ সঙ্গী বিহীন মানুহ দেৱতা কিম্বা পশু। অর্থাৎ মানুহ হলেই তাক লগ লাগিব আৰু লগ হলেই ইটিয়ে সিটিক মনৰ ভাব প্ৰকাশ কৰিবলৈ কিবা এটা বস্তুও লাগিব। সেই বস্তুই হৈছে ভাষা। আৰু বহুত মানুহৰ সমষ্টিকে সমাজ বোলা যায়। দেশৰ প্ৰাকৃতিক গঢ়-পতি, হাৱা-পানী ভাষা বা এক শাসন প্ৰণালী লৈ এটি ২ সুকীয়া সমাজ গঠিত হব পাৰে, কিন্তু যিখন দেশৰ মানুহৰ চাল-চলন, কথা-বতৰা একে সেইখন দেশৰ মানুহকে ঘাইকৈ এক সমাজৰ বুলি ধৰিব লাগে। ইতিহাস, ধৰ্ম্ম, শিক্ষা, আচাৰ লৈও সমাজ হব পাৰে, কিন্তু ভাষাই হে আচল। যেনেকৈ ইংৰাজী কোৱা মানুহক ইংৰাজ, বঙ্গালী কোৱাক বঙ্গালী তেনেকৈ অসমীয়া কোৱাক অসমীয়া। এই বিলাক ভিন ২ সমাজ। সাহিত্য হৈছে ভাৱৰ অভিব্যক্তি বা মানুহ-জীৱনৰ ব্যাখ্যা আৰু সমাজে এই সাহিত্যৰ সৃষ্টি কৰে। অতএব ভাষাই সাহিত্যৰ জীৱন আৰু সাহিত্যৰ জীৱন সমাজ। ভাষাৰ উন্নতিয়েই সাহিত্যৰ উন্নতি আৰু সাহিত্যৰ উন্নতিয়েই সমাজৰ উন্নতি। যি ভাষাত শব্দৰ সংখ্যা বেছি আৰু নিচেই সূক্ষ্ম মনৰ ভাব বিলাকক প্ৰকাশ কৰিব পৰা শব্দ আছে সেই ভাষাই চহকী।

আমি অসমীয়া আমাৰ ভাষা অসমীয়া। আমাৰ সাহিত্য আৰু সমাজৰ উন্নতি কৰিবৰ হলে প্ৰথমতে আমাৰ ভাষাৰ উন্নতি হব লাগিব। ইংৰাজ সকলে নিজৰ ভাষাক চহকী কৰিবলৈ গ্ৰীক্, লেটিন, হিব্ৰু ইত্যাদি ভাষাৰ পৰা বহুত শব্দ লৈ নিজৰ সাঁচত পেলাই নিজৰ কৰি লৈছে। আমাৰ ভাষা চহকী কৰিবলৈ হলেও আমিও তেনেকৈ অন্য ভাষাৰ পৰা শব্দ আনি নিজৰ জাতি গত সাঁচত পেলাই নিজৰ কৰি লব লাগিব। কালৰ গতি সদায় একেদৰে নেথাকে। নিতৌ নতুন হব লাগিছে। এই নতুনত্বৰ লগে লগে নতুন ভাব নতুন কথাত আৰিভাব হৈছে। প্ৰত্যেক সভ্যতাই বহুত নতুন ২ আহিলা পাতি লগত লৈ দেখা দিয়ে। সেই দেখি মুছলমানৰ সভ্যতা ভাৰতলৈ অহাৰ পাছত তাৰ বহুত কথা, বহুত শব্দ ভাৰতীয় ভাষাত সোমাই গল। আৰু অসমীয়া ভাষাতো কিছুমান সোমাল। আৰু সেইবোৰ ব্যৱহাৰত অসমীয়াত্ব প্ৰাপ্ত হল। উদাহৰণ স্বৰূপে কেইটমান শব্দ উদ্বৃত্তিয়াও, যেনেকৈ :—খাজানা, মাফ্, খেৰাজ, নিশ্পিখেৰাজ, লাখেৰাজ, জমাবন্দি, তহচিলদাৰ, চিৰন্তাদাৰ, পেস্কাৰ, হুকুম, হাকিম, নকল, মকৰ্দ্দমা, জব্বৰি, গাফিলি, মালিক, পছন্দ, লায়ক, গড়ু লায়ক, হাজিৰ, গড়হাজিৰ, ইত্যাদি ইত্যাদি। এইবোৰ শব্দৰ অসমীয়াত প্ৰতিশব্দ নাই, আৰু কোনো কোনোৰ প্ৰতিশব্দ থকা স্বত্বেও ব্যৱহাৰ নোহোৱাৰ বাবে লুপ্ত প্ৰায় হৈছে। যেনেকৈ :—কাগজ, কলম, দোৱাত। আজি কালি তুলা পাত, কাপ, মহীচুদ্দা বুলিলে সকলোৱে বুজে। আৰু এইবিলাক পাৰ্চী বা আৰবী শব্দ বুলি আমি দলিয়াই পেলাই আমাৰ ভাষাক দুখীয়া কৰিব নোৱাৰোঁ। তেনেকৈ কিছুমান ইংৰাজী শব্দকো আমাৰ অসমীয়া কৰিব লাগিব। যেনে :—ৰে'ল লাইন, বায়স্কোপ, চিনেমা, টকি, গ্ৰেমফোন্, এ'ৰোপ্লেন, মটৰকাৰ টেলিগ্ৰাফ্, ষ্ট্ৰেম্প, এড্ৰেছ, ফেচন, সিগ্ৰেট, কোট, কপ, গিলাচ, লেম্প, লেনটেন্ ইত্যাদি ইত্যাদি।

কাৰণ এইবোৰৰ নতুন শব্দ, অসমীয়াত ইয়াৰ প্ৰতিশব্দ নাই।

বেলেগ বেলেগ জাতিৰ বেলেগ বেলেগ ভাষা। সকলো ভাষৰে নিজৰ এটা বিশেষত্ব আছে। আমাৰ ভাষা অসমীয়া। আমাৰো এটা বিশেষত্ব আছে। আমাৰ জাতিগত, সমাজগত ভাব প্ৰকাশ কৰিবলৈ সুকীয়া শব্দ, বাক্য আৰু যোজোনা আছে। অসমীয়া সাহিত্য বুলি চিনাকী দিবলৈ হলে আমাৰ এই সুকীয়া শব্দ, সুকীয়া বাক্য প্ৰয়োগ কৰিব লাগিব। তাকে নকৰি যদি সংস্কৃত বা ইংৰাজী শব্দ ব্যৱহাৰ কৰোঁ তেন্তে সি অসমীয়া থাঁতি সাহিত্যৰ শাৰীত ঠাই পাব নোৱাৰে। আৰু তাকে কৰিলে অসমীয়া সাহিত্যৰ মূৰ ঘোৱা হব। আজি কালি ইংৰাজী শিক্ষা প্ৰাপ্ত ডেকা সকলৰ সংস্কৃত শব্দ বা ইংৰাজী শব্দৰ সংস্কৃত প্ৰতি শব্দ ব্যৱহাৰ কৰি নাটক বা গল্প লিখাৰ ফালে ধাউতি দেখা যায়। যেনেকৈ :—"লক্ষ্য কৰা! লক্ষ্য কৰা! সৌ ভুবন মোহিনী দেবী মূৰ্ত্তিয়ে তোমাৰ পানে নিৰ্ণিমেষ নয়নে দৃষ্টিপাত কৰি আছে।" আজি কালি শিক্ষিত ডেকাৰ ভিতৰত কেইজনে থাঁতি অসমীয়া জানে বা কয়? তেওঁলোকে ইংৰাজী শব্দ মুখমুহাই কথা নকলে ভাব প্ৰকাশ কৰিব নোৱাৰা হৈছে। দৰক যেনিবা দুজন ইংৰাজী শিক্ষা প্ৰাপ্ত ডেকাই কোনো এখন সভাৰ প্ৰস্তাৱ এটিৰ বিষয় কথা পাতিছে তাতে এজনে আন এজনক এনেকৈ কৰ,—"আমাৰ conference ৰ special sittingত attend কৰিবৰ নিমিত্তে invitation letter এখন পাইছিলোঁ। কিন্তু মই বৰ sorry হলো যে, মই time কৰিব নোৱাৰিলোঁ। মোৰ আন এটা engagement আছিল। যা হওক secretary লৈ মই লিখি জনাইছিলো যে সেই sitting মই attend নকৰিলেও হব, কাৰণ মই তেওঁৰ opinionত fully agree কৰিছিলো, আৰু তেওঁ যিটো resolution pass হব লাগে বুলি লিখিছিল তাত মোৰ কোনো objection নাছিল। I am realy very much pleased যে resolution টো unanimously pass হল।" এতিয়া ভাবি চাওক অসমীয়া ভাষা ক'ত। আজি কালি অসমীয়া ভাষাৰ আদৰ নাইকিয়া হৈছে। ই কিন্তু অসমীয়া সাহিত্যৰ কুলক্ষণ। ভাগ্যে এতিয়াও লক্ষীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈ আদি কবি কেইজন মান অসমীয়া সাহিত্যিক বৰ্ত্তমান আছে নতুবা এই অসমীয়া সাহিত্য ইমান দিনে লোপ পালে হেঁতেন।

সিদিনা 'বাতৰিত' শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে লিখা এখন চিঠি পাইছিলোঁ। তেওঁ কৈছে বোলে "বহুত বছৰৰ সমালোচনাৰ পিছত ইমান দিনৰ মূৰত বিশ্ব বিদ্যালয়ৰ অধিনায়ক সকলে স্থিৰ কৰিলে জাতিৰ শিক্ষা আলোন আলোন মাতৃ ভাষাত দিয়া হব। আমাক নানা শাস্ত্ৰ কিতাপ লাগে; সিদিনা মাননীয় ভাইচ-চেন-চেলাৰে অসমীয়াৰ অভিনন্দনৰ উত্তৰত যি কৈছিল তাত আমি ইয়াকে বুজিলোঁ যে, অসমীয়াই যদি ঠিক সময়ত আৱশ্যকীয় কিতাপ ছপাই উলিয়াব নোৱাৰে, তেনেহলে বঙ্গলা কিতাপ অসমীয়া স্কুল কলেজত চলিবলৈ বাধ্য।" যদি সেয়েই হয় তেন্তে ই বৰ লাজৰ কথা হব। অসম সাহিত্য সভাই এতিয়াৰ পৰা সতৰ্ক হোৱা উচিত। আৰু তেওঁ কৈছে যে, "অসমীয়া ভাষাত প্ৰধান গোলমাল হল শব্দ বোৰৰ বানান লৈ। বৰ্ত্তমান চ, ছ, শ, ষ, স প্ৰভৃতি আখৰ বিলাকৰ সম্বন্ধে যি প্ৰথা প্ৰচলিত আছে তাৰে বৈদেশিক শব্দ বিশেষকৈ proper nounৰ বানান লিখাৰ বিশেষ অসুবিধা বহুতে ভোগ কৰিছে।" সঁচাকৈয়ে আমাৰ ভাষাত ই এটা ডাঙৰ আলোৱাহ। সেই দেখি অসমীয়াই অন্তভাষাত এই আখৰ যুক্ত শব্দ বোৰ উচ্চাৰণ কৰিব নোৱাৰে। যেনেকৈ—'ছিন্ধু' নৈক ভাৰতৰ সকলোৱে 'সিন্ধু' কয় কিন্তু আমি অসমীয়াই সিন্ধু (হিন্দু) কম। চুচিল চন্দ্ৰ কৰলৈ হলে আমি শুশীল চন্দ্ৰ কম। শিংং কৰলৈ হলে আমি 'চ' বা 'ছ' দি চিলং কম। অসম সাহিত্য সভাই ইয়াৰ প্ৰতিকাৰৰ চেষ্টা কৰিব লাগিব। ভাষা সম্বন্ধে এই দুই আষাৰ কৈ এতিয়া সাহিত্য বিষয়ে দুআৰ মান কথা কব খোজো।

সাহিত্য জীৱনৰ ব্যাখ্যা বা ভাৱৰ অভিব্যক্তি। মানুহ সামাজিক জীৱ আৰু মানুহৰ সহানুভূতি সদবেদনা আছে

বুলিয়েই ইটিৰ সিটিলৈ এটি টান আছে। এই কাৰণে মানুহে নিজৰ কামনা, সুখ, দুখ লৈয়ে সন্তুষ্ট থাকিব নোৱাৰে। এই ভাব আছে বুলিয়েই সাহিত্য সম্ভৱপৰ হৈছে। ভাষাই হৈছে এই ভাব প্ৰকাশৰ উপায় আৰু সাহিত্যই হৈছে ইয়াৰ ফল। দেশ অনুযায়ী, ভাষা অনুযায়ী সাহিত্যই গঢ় লয়। প্ৰত্যেক সাহিত্যৰ নিজৰ এটা বিশেষত্ব আছে। নিজ জাতিগত, নিজ সমাজগত জীৱনৰ নিজৰ সুকীয়া ভাষাৰে ব্যাখ্যা কৰাই হৈছে সেই সমাজৰ সাহিত্যৰ বিশিষ্টতা। এই বিশিষ্টতা আমাৰ অসমীয়া সাহিত্যতো পূৰ্ণ মাত্ৰাই আছে। ভাষাৰ সামঞ্জস্য বা মিল ৰাখি আৰু ঠিক যি ঠাইত যিটি শব্দ ব্যৱহাৰ কৰিলে সেই ভাব ওপজে এনে শব্দ ব্যৱহাৰ কৰি ভাবৰ সামঞ্জস্য ৰাখি ৰচনা কৰাটোৱেই হৈছে সাহিত্য। অৰ্থাৎ ভাৱৰ আগগুৰি নোহোৱাকৈ যেনে তেনে কিছুমান শব্দ লগাই এখন কিবা লিখিলেই সাহিত্য নহয়। তাত art বা ৰস লাগে। অৰ্থাৎ মানুহৰ মনৰ তৃপ্তি সাধন কৰিব লাগিব। য'ত ৰস নেথাকে তাত সাহিত্যৰ একো সোৱাদ নেথাকে। কেৱল ঘৃণা, বিদ্বেষ, হিংসাৰ ভাৱ লৈয়েই প্ৰকৃত সাহিত্য গঢ়িব নোৱাৰি। সহানুভূতি নহলে, সমবেদনা নহলে তৃপ্তি নহলে, মন আকৰ্ষণ কৰিব নোৱাৰিলে সাহিত্যৰ একো মূল্য নাই। সাহিত্য লিখা সকলে নিজৰ সমাজক অতিক্ৰম কৰিব নোৱাৰে কাৰণ লিখকৰ ব্যক্তিগত ভাব সেই সমাজ দিয়েই গঢ়া। আৰু সাহিত্যৰ ভিতৰেদি তেওঁৰ সমাজগত নিজৰমনৰ ভাব বিলাকেই প্ৰকাশ পায়। এই ভাব বিলাকৰ সামঞ্জস্য ৰাখি ৰসাল কৰিব নোৱাৰিলে সাহিত্য নহয়। আজি কালি দেখা যায় আমাৰ কোনো কোনো গ্ৰন্থকৰ্ত্তাই ইংৰাজী বা বাঙ্গালী নাটকৰ তৰ্জ্জমা কৰি কিছুমান কিতাপ লিখিছে, তাত নিজৰ ব্যক্তিগত, জাতিগত, সমাজগত কোনো ভাব বা ৰস নাই। যিটো বিষয়ে আমাৰ অভিজ্ঞতা নাই, নিজৰ সমাজৰ লগত খাপ নাখায় তাক যথাযথ ভাবে প্ৰকাশ কৰা দুঃসাধ্য। মানুহৰ কথাবতৰা, আচাৰ ব্যৱহাৰ আদি লৈ সমাজ। মানুহৰ চিন্তা, কল্পনা, সহানুভূতি লৈ সাহিত্য। সমাজে নিজে সাহিত্য নিলিখে, লিখে মানুহে। ওপৰত কৈ অহা হৈছে যে, মানুহৰ চিন্তা, ভাবনা, কল্পনা তাৰ সমাজৰ আচাৰ ব্যৱহাৰৰ ভিতৰেদিয়ে প্ৰকাশ পায় আৰু প্ৰত্যেক সমাজৰ এটা বিশিষ্টতা আছে। এই বিশিষ্টতা ৰক্ষা কৰিব নোৱাৰিলে সৌন্দৰ্য্য ফুটি নোলায়। মোগল বা ৰাজপুতৰ নায়ক নায়িকা আঁকিবলৈ গলে অসমীয়া সজালে নহব। মোগল বা ৰাজপুতৰ আচাৰ ব্যৱহাৰৰ অভিজ্ঞতা থাকিব লাগিব। যদি সেইয়ে নহয় তেন্তে সি নায়কো নহয় আৰু অভিনয়ো নহয় মাত্ৰ এখন ভেকো ভাওনা। সেই দেখি কওঁ যে যি সকলে বঙ্গালী ভাষাৰ পৰা নকল কৰি ৰাজপুতৰ বীৰত্ব মোগলৰ কাপুৰুষতা সম্বন্ধে নাটক লিখিছে তাত একো শিকিবলৈ নাই। আজি পাচশ ছশ বছৰৰ আগৰ মোগল বাদছাহ সকলৰ কাপুৰুষতা, শঠতা আৰু এখন নগৰৰ ৰাজপুতৰ বীৰত্ব, সাধুকথা প্ৰকাশ কৰি ৰঙ্গমঞ্চত কোনো কোনোৰ প্ৰাণ মতলীয়া কৰিব পাৰে। যবন কাপুৰুষ, যবনৰ ধৰ্ম্ম হেয়, যবন ঘৃণাৰ পাত্ৰ, মেলেছ এনেবোৰ আখ্যাই কাৰো মনত আনন্দ দিব পাৰে আৰু হাত চাপৰিত, কিৰিলিত সুহৰিত ৰঙ্গমঞ্চত কোঢ়াল লগাব পাৰে, কিন্তু ইয়াৰ পৰিণাম শোচনীয়। বহুতৰ মত বোলে "বেলি মাৰৰ" নিচিনা জাতে পাতে অসমীয়া নাটকত Scene বা দৃশ্য নাই, সৌন্দৰ্য্য নাই, বোলে সংস্কৃত বা হিন্দুস্থানী শব্দ যি নাটকত নাই, তাত বীৰত্ব ভাবেই নাই। বোলে অসমীয়া ঘৰ বাৰী-আলি পদূলিত, হাবিত, দৃশ্য নাই। বোলে অসমীয়া কথাত গাৰ তেজ গৰম নহয়। এতিয়া ভাবি চাওঁক আমাৰ, অসমীয়াৰ ভিতৰত যদি এনেকুৱাই ভাৱ, তেন্তে আমাৰ ভাষাৰ উন্নতি কেনেকৈ হয়, আৰু অসমীয়া সাহিত্যই ক'ৰ পৰা হয়?

গদ্য সাহিত্য চেষ্টা কৰিলে সকলোৱেই লিখিব পাৰে। কিন্তু চেষ্টা কৰিলেও যেয়ে সেয়ে কবিতা লিখিব নোৱাৰে। poet is born. কবি ওপজে অৰ্থাৎ যাক ঈশ্বৰে ক্ষমতা দিছে সিহে প্ৰকৃত কবিতা লিখিব পাৰে। সেইদেখি কবি

প্ৰেমিক। প্ৰকৃতিৰ লীলাখেলা আৰু স্বাভাবিক মানৱ জীৱনেই হৈছে কবিৰ বিষয় বস্তু। আমি মানুহ আৰু মানুহ বুলিয়েই এটা অজ্ঞাত সহানুভূতিয়ে আমাক আকৰ্ষণ কৰি থাকে। মানুহৰ মূল ভাব একে। সেই কাৰণে ইংৰাজ কবি চেক্সপিয়াৰ, শ্বেলি, বাইৰণ ইত্যাদি কেবল ইংৰাজ কবি নহয়, কবি ছাদি হাফিজ, ওমৰ খৈয়াম ইত্যাদি কেবল মুছলমানৰ নহয়, আৰু হিন্দু কবি কালিদাস, ৰবীন্দ্ৰ ইত্যাদি কেৱল হিন্দুৰে নহয় এখেত সকল গোটেই জগতৰ। তেওঁলোকৰ ভাষা মাত্ৰ ভিন, মূল ভাব একে। আমাৰ অসমীয়াৰ ভিতৰত যদিও তেনেকুৱা নামজলা কবি নাই তত্ৰাচ লেখত লব লগীয়া কেইজন মান আছে। আমাৰ বৰ্ত্তমান সভাৰ সভাপতি মহোদয়ৰ "জিলিকনি" আমাৰ ভিতৰত জিলিকি আছে আৰু মৌলবী মফিজুদ্দিন হাজৰিকাৰ 'জ্ঞানমালিনী'য়ে ফুলৰ সুগন্ধ বিলাই আছে। গদ্য আৰু পদ্যৰ প্ৰভেদ এয়েই যে এটিৰ উৎপত্তি সমাজ আৰু আনটিৰ উৎপত্তি গোটেই জগৎ। অতএব আমাৰ ভিতৰত নামজলা কবি নাই বুলিয়েই যে আমাৰ সাহিত্য নাই এনে নহয়।

আমাৰ এই অসম দেশ খনি প্ৰকৃতিৰ লীলাভূমি। ইয়াৰ হাবি-বননি, নদ-নদী, পাহাৰ পৰ্ব্বত, চৰাই-চিৰকতি পশু পক্ষী সকলোটি মিলি যেন প্ৰকৃতিৰ এখন নন্দন কানন ইয়াত প্ৰকৃতিৰ শান্তি বিৰাজ কৰিছে, উগ্ৰমূৰ্ত্তি নাই। আমাৰ অসমীয়া সমাজটিও এই প্ৰকৃতিৰ বুকতে স্থাপিত। এই দেখি আমাৰ সমাজ শান্তিপ্ৰিয়, আমাৰ ভাব কোমল আৰু ভাষাও কোমল। এই কোমলতাৰ ওপৰত আমাৰ আক্ষেপ কৰিব লগীয়া একো নাই বৰং গৌৰৱ কৰিব লগীয়াহে আছে। মানুহৰ ভাববোৰ সিহঁতক আগুৰি থকা বস্তুবোৰ অতিক্ৰম কৰি যাব নোৱাৰে, সেইহে আমাৰ প্ৰত্যেক পদতে প্ৰকৃতিৰ উপমা। সাধাৰণ হাবি নামতো এই উপমা। এই প্ৰকৃতিৰ লগত তুলনা ৰাখি কবিতা নিলিখিলেই যেন আমাৰ ভাব খাপ নেখায়। য'তে এই তুলনা ততে এটি মনমোহা ভাব। সেইহে আমি দেখিবলৈ পাওঁযে শ্ৰেষ্ঠ কবি ৰবীয়েও তেখেতৰ নিজ সমাজস্থিত প্ৰকৃতিৰ ভাব দেই যাব পৰা নাই। সেইহে পদ্মানৈত বা হুগলী নৈত পালতৰা নৌকাৰ উপমা যেনে :—

"লেগেছে অমল ধবল পালে মন্দ মধুৰ হাওয়া
দেখিনাই কভু শুনি নাই এমন তৰণী বাওয়া
কোন সাগৰেৰ পাৰ হ'তে আসে কোন সুদূৰেৰ ধন ভেসে
যেতে চায় মন যেতে চায় ঐ কিনাৰায় সব চাওৱা
সব পাওয়া" ইত্যাদি

আৰু সেয়েহে আমাৰ কবিৰো পৰ্ব্বতৰ ঢেকিয়াৰ উপমা যেনে :—

পৰ্ব্বতৰ ঢেকিয়া লিহিৰি পতীয়া বতাহত হালেজালে
ক'লা ডাৱৰত বগে জাক পাতি উৰা মাৰে কৰবালে'।

* * * * *

এই দুইটিৰ উদ্দেশ্য একে—মনক অনন্তত বিলীন কৰা এটি জগত বিখ্যাত কবিৰ ৰচনা আৰু অনটি আমাৰ এজন নগন্য পদ্য লিখোতাৰ ভাৱৰ প্ৰকাশ। তত্ৰাচ যেন আমাক নিৰ্ম্মল পাল তৰা নৌকাতকৈ পৰ্ব্বতৰ ঢেকিয়াইহে বেছিকৈ আকৰ্ষণ কৰে। ইয়াৰ কাৰণ কি? কাৰণ আমাৰ নিজৰ প্ৰকৃতি। যদি নিজৰ সমাজগত নাটকৰ নিমিত্তে দৃশ্য নাই দৃশ্য কৰি লোৱা। কানি খোলা ভাঙ্গা সোৰোপা নহবা, মূৰ দাঙ্গি বুকু ফিন্দাই নিজৰ ভৰিৰ ওপৰত ভৰ দি থিয় হোৱা, দেখিবা তোমাৰ বীৰত্ব আছে তোমাৰ কথাটো তেজ গৰম হয়। বঙ্গালী নাটকৰ পৰা তৰ্জ্জমা কৰি ৫০০ বছৰৰ আগৰ মোগল বা ৰাজপুতৰ ভাৱৰীয়া বনাৱলৈ গৈ অসমীয়া সমাজক হীন নেদেখুৱাবা যাতে বঙ্গৰ ভাই সকলে আৰু কবলৈ নাপায় যে তেওঁলোকৰ "Cultural conquest অৰ্থাৎ জ্ঞান আৰু সভ্যতাৰ নিছান অসমত উৰাবলৈ বেছি দিন নেলাগিব"

অৱশেষত কওঁ :—আমাৰ মুছলমান ভাই সকলেতো অসমীয়া সাহিত্যৰ ফালে একদম্ পিঠি দি বহি আছে। তেওঁলোকৰ ধৰ্ম্ম, ইতিহাস আৰু আচাৰ ব্যৱহাৰ বেলেগ বুলিও একে অসমীয়া সমাজতে তেওঁলোকৰ স্থিতি। তেওঁলোকে কয় বোলে তেওঁলোকৰ নিজৰ ধৰ্ম্ম, ইতিহাস ইত্যাদি লৈ এটা বিশেষত্ব আছে। কিন্তু এই বিশেষত্বৰ

ফালে হিন্দুভাই সকলেও পিঠিদি বহি আছে। আৰু বোলে যদিওবা কোনো হিন্দু লিখকে তেওঁ লোকৰ বিষয়ে কোনো কথা লিখে, তাতো যেন এটা হেয়, তাচ্ছিল্য ভাব বিবিজি থাকে। আৰু কয় বোলে তেওঁলোকৰ লৰা ছোৱালীয়ে প্ৰথমে পাঠশালাত পঢ়িবলৈ আৰম্ভ কৰোতেই বুজে যে এই অসমীয়া ভাষাত, বামায়ণ, মহাভাৰতৰ কথাৰ বাহিৰে, হিন্দু মহাপুৰুষ সকলৰ জীৱনীৰ বাহিৰে তেওঁলোকৰ কোনো কথাৰে ঠাই নাই। তেতিয়াই এটা ভাব অন্তৰত সোমাই যায় যে অসমীয়া সাহিত্য তেওঁলোকৰ নিমিত্তে নহয়। আৰু যেতিয়া ডাঙৰ হৈ ইংৰাজী পঢ়ি কলেজত পঢ়ে তেতিয়া বঙ্গলা ভাষাৰ পৰা অনা অসমীয়া নাটকৰ ভাওনা দেখি সেই লৰা কালৰ ভাব কটকটিয়া হৈ পৰে আৰু তেওঁলোকে ভাবিবলৈ বাধ্য হয় যে যদিও হিন্দু সমাজ অসমীয়া আৰু তেওঁলোকৰ সমাজো অসমীয়া তত্যাচ ছমো বেলেগ। আৰু তেওঁলোকে কয় যে হিন্দুৰ সমাজত তেওঁলোক "গৰীয়া"; তেওঁলোকৰ সকলো কথাই ঘৃণাৰ পাত্ৰ, আৰু সেই দেখি তেওঁলোকৰ আন আন ঠাইৰ মুছলমানৰ ওপৰতহে চকু।

এতিয়া মই আমাৰ হিন্দু ককাই সকলক কওঁ যে এই অসম মাতৃৰ একে স্তন পান কৰি ডাঙৰ দীঘল ছোৱা মুছলমান ভাইটিইতক অকৰ্ম্মণ্য বুলি এৰি নিদিব। সিইতৰ ধৰ্ম্মত, সিইতৰ আচাৰ ব্যৱহাৰত বহুত কথা আছে যাক চৰ্চ্চা কৰিলে অসমীয়া সাহিত্যৰ কলেবৰ বৃদ্ধি হব। আৰু মুছলমান ভাই সকলকো কওঁ যে, তোমালোকে হাত সাবটি বহি থাকিলে নহব। তোমালোকেও অসমীয়া সাহিত্যক দান কৰিব লগৱীয়া বহুত আছে। অসমীয়া ভাষা, অসমীয়া সাহিত্য তোমালোকৰ বুলি জান কৰা। এতিয়া যদি বিশ্ববিদ্যালয়ে নিজৰ মাতৃভাষাত শিক্ষা দিবলৈকে ঠিক কৰিলে তেনেহলে এই ভাষা চৰ্চ্চা নকৰিলে তোমালোকৰ নিস্তাৰ নাই। তোমালোকতকৈ কেইদিন মান আগতে বা পাছতে অহা হিন্দুস্থান চহৰৰ কনৌজৰ বামুন কেইজনৰ বংশধৰ সকলে আৰু তেওঁলোকৰ শিষ্য বৰ্গই যদি তোমালোকক "গৰীয়া" বুলি হাঁহে আৰু তোমালোকৰ তাতে গা বেজায় তেন্তে তোমালোকেও কৰ পাৰিব লাগিব যে তোমালোকৰো পূৰ্ব্বপুৰুষ সকল সেই একে হিন্দুস্থান চহৰৰ দিল্লী মহানগৰীৰ পৰা অহা মানুহ বা তেওঁলোকৰ শিষ্যবৰ্গ; অতএব এই হিন্দু সকলৰ অসমীয়া সাহিত্যত, অসমীয় সমাজত যেনে দখল তোমালোকৰো তেনে দখল। মুছলমান ভাই সকল! এই কথা কেৱল মুখেৰে কলে নহব কাৰ্য্যত দেখুৱাব লাগিব। যদি তাকে নকৰা তেন্তে 'গৰীয়া' বুলিলে বেজাৰ পোৱাৰ একো মূল্য নাই। সঁচা কৈয়ে যদি কোনো কাৰিগৰে অসমীয়া সাহিত্যৰ এটি প্ৰতিমূৰ্ত্তি গঢ়ে, তেন্তে ইয়াৰ এখন কাণ নাইকীয়া বা এটা চকু কণা বা এখন হাত কোঁঙা বা এখন ভৰি খোঁৱা কৰিব লাগিব। এই প্ৰতিমূৰ্ত্তিক সৰ্ব্বাঙ্গে সুন্দৰ কৰি গঢ়িবলৈ হলে মুছলমান সকলকো সমানে টানি নিব লাগিব। হিন্দু মুছলমান দুইবো দায়ীত্ব সমান।

এতেকে সৰ্ব্বশেষত মোৰ কব লগীয়া এইয়ে যে আমাৰ ভাষা প্ৰকৃতিজাত, আমাৰ প্ৰায় সকলো শব্দই সুকীয়া আৰু মৌলিক। আমাৰ সমাজৰ নিজভাব বোৰ ইতে যেনেকৈ প্ৰকাশ কৰিব পাৰে আন ভাষাৰ পৰা অনা কোনো শব্দই তেনেকৈ নোৱাৰে। মিচৌ ভাৱৰ বা কথাৰ অসমীয়া প্ৰতিশব্দ নাই আৰু আমাৰ নিজৰ সুকীয়া শব্দ ব্যৱহাৰ কৰিলে যথাযথ অৰ্থপ্ৰকাশ নকৰে আৰু সিবোৰ কথা গোটেই জগতে একে শব্দৰে ব্যৱহাৰ কৰে তেনে শব্দৰ বাহিৰে কোনো শব্দকে, কি সংস্কৃত, কি পাৰ্চি কি ইংৰাজী আমাৰ সাহিত্যত যেন ঠাই নেপায়। হিংসা বিদ্বেষৰ বশবৰ্ত্তী হৈ যেন সাহিত্যত হাত নিদিয়ে। সঁচাকৈয়ে সমাজ উন্নত কৰিবলৈ হলে সাহিত্য ওধৰণৰ আৰু সৰ্ব্বাঙ্গে সুন্দৰ হব লাগিব। ইয়াত জাতি, ধৰ্ম্ম সাম্প্ৰদায়িকতাৰ চেকা থাকিব নেলাগিব আৰু সুন্দৰ পৰিকল্পনাই সাৰ হব লাগিব। এনেকুৱা নিৰ্ম্মল সাহিত্যই একতাৰ বান্ধ দৃঢ় কৰিব আৰু তাৰ লগে লগে সমাজৰ পৰিপুষ্টি সাধন কৰি অসমীয়া সমাজক এক নতুন প্ৰাণেৰে গঢ়িব। ভাষাৰ উন্নতিয়েই এই সাহিত্যৰ উন্নতি আৰু সাহিত্যৰ উন্নতিয়েই সমাজৰ উন্নতি।*

* অসম সাহিত্য সভাৰ পঞ্চদশ অধিবেশনত পঠিত।—লিখক



৺মাধৱ দেৱৰ মন্দিৰ
[সুন্দৰীদিয়া সত্ৰ]
[শ্ৰীযুত সৰ্পেশ্বৰ কটকীৰ সৌজন্যত]



৺শঙ্কৰ দেৱৰ মন্দিৰ
[বৰপেটা সত্ৰ]

মুদ্ৰেল অফ ইণ্ডিয়া প্ৰেছ, কলিকতা

সাম্য-স্বাধীনতাৰ আগদূত

—শ্ৰীযুত দেৱেন্দ্ৰনাথ শৰ্ম্মা

বহুদিনৰ ধৰি'ত মানুহে এথন্তেকৰ কাৰণেও ৰবষুণৰ বাবে উৎকণ্ঠিত হয়; কিন্তু যেতিয়া হঠাৎ এদিন বিজলী চমকেৰে মেঘৰ গাজনিবে ৰবষুণ আহি দেখা দিয়ে, লগে লগে প্ৰচণ্ড ধুমুহাই গছ লতা ভাঙি ডিঙি একাকাৰ কৰে তেতিয়া মানুহে ৰবষুণ নালাগে বুলি ভয়তে ত্ৰাহি মধুসূদন স্মৰে। বহুদিনৰ অনাবৃষ্টিৰ ধাৰ শুজিবলৈ অহা প্ৰকৃতিৰ আয়োজনৰ প্ৰবল প্ৰাচুৰ্য্যক মানুহে সহজে উপলব্ধি কৰিব নোৱাৰি ভয়ত শিহৰি উঠে। কিন্তু মহাশক্তিৰ সন্তান যি সকল— সেই সকলে ইয়াৰ বহস্য জানে। প্ৰকৃতিৰ প্ৰলয় নাচোনত বিপ্লৱৰ সন্তানসকলে অনাগত নৰসৃষ্টিৰ অপৰূপ ৰূপ মাধুৰ্য্যৰ কল্পনাত পুলকিত, আনন্দিত হয়। এই বিপ্লৱৰ মহাসন্তান সকলেই দেশৰ অৱতাৰ আখ্যা লাভ কৰি জগতৰ বৰণীয় হয়।

লোকচৰিত্ৰৰ মাজেদি প্ৰকাশ নাপালে সৰ্ব্বসাধাৰণে কোনো আদৰ্শকে বুজিব নোৱাৰে। সিমানে মহৎ নহক সেই আদৰ্শ। সেই দেবিয়েই আদৰ্শ বিগ্ৰহকণী হৈ মনুষ্য সমাজত দেখা দিয়ে। বিচিত্ৰ ইয়াৰ প্ৰকাশ, অসীম অনন্ত ইয়াৰ শক্তি। গতিকে মানুহৰ মাজত তেওঁলোক মহামানৱ যুগস্ৰষ্টা।

পৃথিবীৰ বুৰঞ্জীত ৰাষ্ট্ৰ আৰু সমাজ বিপ্লৱ বহুবাৰ দেখা দিছে। বিপ্লৱৰ মাজত সৃষ্টি আৰু ৰক্ষাৰ অভয় বাণীও উচ্চাৰিত হৈছে। কিন্তু কুৰি শতিকাৰ বিপ্লৱৰ মূৰ্ত্ত বিগ্ৰহ নিকোলী লেনিনৰ ভিতৰত ধ্বংস আৰু সৃষ্টিৰ যি অপূৰ্ব্ব সম্মিলন দেখুৱাইছে—পৃথিবীৰ বুৰঞ্জীত তুলনা নাই। ইয়াৰ মহত্ত্ব ককণাবিগলিত নদীশোতৰ নিচিনা তীব্ৰ, ক্ষৰশোতা।

ফ্ৰান্সৰ অত্যাচাৰী বুৰ্ব্বোবংশীয় ৰজাসকলৰ নিৰ্ম্মমতাই ফৰাচী বিপ্লৱক সম্ভৱ কৰিছিল। কিন্তু ফ্ৰান্সৰ সেই সময়ৰ অত্যাচাৰ উনৈশ শতিকাৰ কছিয়াৰ জাৰসকলৰ অত্যাচাৰৰ লগত তুলনাই নহয়। কছিয়াৰ বিশাল বিস্তীৰ্ণ সাম্ৰাজ্যৰ অৱস্থা অতীতৰ গ্ৰীকসাম্ৰাজ্যৰ ক্ৰীতদাস হেণ্টবিলাকতকৈও বেয়া আছিল, মুষ্টিমেয় ধনী, আভিজাত্য সম্প্ৰদায় আৰু সামৰিক নায়কসকলৰ সুখ সুবিধা আৰু ভোগ-বিলাসৰ উপকৰণ যোগাব কৰি দিয়াত বাজে কছিয়াৰ কৃষক আৰু শ্ৰমিকসকলৰ আন কোনো কাম নাছিল। কছিয়াৰ হয় জাৰৰ নহয় জাৰৰ অনুগৃহীত সম্প্ৰদায়ৰ নাইবা ধনীসম্প্ৰদায়ৰ আছিল। কৃষকে বুকুৰ তেজ পানী কৰি খেতি কৰি সকলো শস্য ধনীৰ ভড়ালত জমা কৰি দি নিজে কেৱল নমৰাকৈ জীৱন ধাৰণোপযোগী হে পাইছিল। সিহঁতৰ অপৰাধ আছিল পদে পদে। আন কি নীৰৱে দীৰ্ঘনিশ্বাস ত্যাগ কৰাও আছিল অপৰাধ। সুকঠোৰ শাসন, নিৰ্ম্মম অত্যাচাৰ আৰু প্ৰত্যেকৰ ভীত আৰু সন্ত্ৰস্ত কৰি ৰখাই আছিল জাৰ শাসনৰ বিশেষত্ব।

সকলোৰে একোটা সীমা আছে, যেতিয়া সীমা অতিক্ৰম হয় তেতিয়া ধীৰে ধীৰে তাৰ প্ৰতিক্ৰিয়া হবলৈ ধৰে। গতিকে জাৰ শাসনৰো প্ৰতিক্ৰিয়া আৰম্ভ হোৱা একো বিচিত্ৰ নহয়। প্ৰথমতে শিক্ষিত মধ্যশ্ৰেণীৰ লোকসকলৰ মাজৰ পৰাযে প্ৰতিক্ৰিয়া আৰম্ভ হবলৈ ধৰে। উনৈশ শতিকাৰ শেহভাগত কছীয় সাহিত্যৰ মাজেদি অসন্তোষ, উৎকণ্ঠা, দাৰিদ্ৰ্য আৰু দুঃখনিপীড়িত আৰ্ত্তপ্ৰজাৰ হাহাকাৰ নানা ৰূপকৰ আৱৰনেৰে আত্মপ্ৰকাশ হয়। 'কমিউনিজম' এনাৰ্কিজিম্ নিহিলিজম প্ৰভৃতি মতবাদ প্ৰচাৰিত হৈ আদৰ্শবাদী উদাৰ যুৱকসকলক নানা বৈপ্লৱিক সমিতি গঠনত প্ৰবোচিত কৰিবলৈ ধৰে। জাৰৰ সাম্ৰাজ্যনীতি, স্বেচ্ছাতন্ত্ৰ শাসন, আইনৰ নামৰ উৎপীড়ণৰ বিৰুদ্ধে জাতিৰ বহুদিনৰ সঞ্চিত ক্ষুব্ধ মনৰ

সাম্য-স্বাধীনতাৰ আগদূত

—শ্ৰীযুত দেৱেন্দ্ৰনাথ শৰ্ম্মা

বহুদিনৰ ধৰি'ত্ত মানুহে এখন্তেকৰ কাৰণেও ৰবষুণৰ বাবে উৎকণ্ঠিত হয়; কিন্তু যেতিয়া হঠাৎ এদিন বিজলী চমকেৰে মেঘৰ গাজনিৰে ৰবষুণ আহি দেখা দিয়ে, লগে লগে প্ৰচণ্ড ধুমুহাই গছ লতা ভাঙি ছিণ্ডি একাকাৰ কৰে তেতিয়া মানুহে ৰবষুণ নালাগে বুলি ভগতে আহি মধুসূদন স্মৰে। বহুদিনৰ অনাবৃষ্টিৰ ধাৰ শুজিবলৈ অহা প্ৰকৃতিৰ আয়োজনৰ প্ৰবল প্ৰাচুৰ্য্যক মানুহে সহজে উপলব্ধি কৰিব নোৱাৰি ভয়ত শিহঁৰি উঠে। কিন্তু মহাশক্তিৰ সন্তান যি সকল— সেই সকলে ইয়াৰ বহস্য জানে। প্ৰকৃতিৰ প্ৰলয় নাচোনত বিপ্লৱৰ সন্তানসকলে অনাগত নৱসৃষ্টিৰ অপৰূপ ৰূপ মাধুৰ্য্যৰ কল্পনাত পুলকিত, আনন্দিত হয়। এই বিপ্লৱৰ মহাসন্তান সকলেই দেৱত অৱতাৰ আখ্যা লাভ কৰি জগতৰ বৰণীয় হয়।

লোকচৰিত্ৰৰ মাজেদি প্ৰকাশ নাপালে সৰ্ব্বসাধাৰণে কোনো আদৰ্শকে বুজিব নোৱাৰে। যিমানে মহৎ নহক সেই আদৰ্শ। সেই দেখিয়েই আদৰ্শ বিগ্ৰহৰূপী হৈ মনুষ্য সমাজত দেখা দিয়ে। বিচিত্ৰ ইয়াৰ প্ৰকাশ, অসীম অনন্ত ইয়াৰ শক্তি। গতিকে মানুহৰ মাজত তেওঁলোক মহামানৱ যুগস্ৰষ্টা।

পৃথিবীৰ বুৰঞ্জীত বাই আৰু সমাজ বিপ্লৱ বহুবাৰ দেখা দিছে। বিপ্লৱৰ মাজত সৃষ্টি আৰু ধ্বংসৰ অভয় বাণীও উচ্চাৰিত হৈছে। কিন্তু কুৰি শতিকাৰ বিপ্লৱৰ মূৰ্ত্ত বিগ্ৰহ নিকোলী লেনিনৰ ভিতৰত ধ্বংস আৰু সৃষ্টিৰ যি অপূৰ্ব্ব সম্মিলন দেখুৱাইছে—পৃথিবীৰ বুৰঞ্জীত তুলনা নাই। ইয়াৰ মহত্ব ককণাবিগলিত নদীশোতৰ নিচিনা তীব্ৰ, ফৰশোতা।

ফ্ৰান্সৰ অত্যাচাৰী বুৰ্ব্বোবংশীয় ৰজাসকলৰ নিৰ্ম্মমতাই ফৰাচী বিপ্লৱক সম্ভৱ কৰিছিল। কিন্তু ফ্ৰান্সৰ সেই সময়ৰ অত্যাচাৰ উনৈশ শতিকাৰ কড়িয়াৰ জাৰসকলৰ অত্যাচাৰৰ লগত তুলনাই নহয়। কড়িয়াৰ বিশাল বিস্তীৰ্ণ সাম্ৰাজ্যৰ অধৱা অতীতৰ গ্ৰীকসাম্ৰাজ্যৰ ক্ৰীহদাস হেণ্টবিলাকতকৈও বেয়া আছিল, মুষ্টিময় ধনী, আভিজাত্য সম্প্ৰদায় আৰু সামৰিক নায়কসকলৰ সুখ সুবিধা আৰু ভোগ-বিলাসৰ উপকৰণ যোগাৰ কৰি দিয়াত বাজে কছিয়াৰ কৃষক আৰু শ্ৰমিকসকলৰ আন কোনো কাম নাছিল। কড়িয়াৰ হয় জাৰৰ নহয় জাৰৰ অনুগ্ৰহীত সম্প্ৰদায়ৰ নাইবা ধনীসম্প্ৰদায়ৰ আছিল। কৃষকে বুকুৰ তেজ পানী কৰি খেতি কৰি সকলো শস্য ধনীৰ ভঁড়ালত জমা কৰি দি নিজে কেৱল নমবাটৈ জীৱন ধাৰণোপযোগী হে পাইছিল। সিহঁতৰ অপৰাধ আছিল পদে পদে। আন কি নীৰৱে দীৰ্ঘনিশ্বাস ত্যাগ কৰাও আছিল অপৰাধ। সুকঠোৰ শাসন, নিৰ্ম্মম অত্যাচাৰ আৰু প্ৰত্যেকৰ ভীত আৰু সন্ত্ৰস্ত কৰি ৰখাই আছিল জাৰ শাসনৰ বিশেষত্ব।

সকলোৰে একোটা সীমা আছে, যেতিয়া সীমা অতিক্ৰম হয় তেতিয়া ধীৰে ধীৰে তাৰ প্ৰতিক্ৰিয়া হবলৈ ধৰে। গতিকে জাৰ শাসনৰো প্ৰতিক্ৰিয়া আৰম্ভ হোৱা একো বিচিত্ৰ নহয়। প্ৰথমতে শিক্ষিত মধ্যশ্ৰেণীৰ লোকসকলৰ মাজৰ পৰাযে প্ৰতিক্ৰিয়া আৰম্ভ হবলৈ ধৰে। উনৈশ শতিকাৰ শেহভাগত ৰচীয় সাহিত্যৰ মাজেদি অসন্তোষ, উৎকণ্ঠা, দাৰিদ্ৰ্য আৰু দুঃখনিপীড়িত আৰ্ত্তপ্ৰজাৰ হাহাকাৰ নানা ৰূপৰ আৱৰনেৰে আত্মপ্ৰকাশ হয়। 'কমিউনিজম' এনাৰ্কিজম্ নিহিলিজম প্ৰভৃতি মতবাদ প্ৰচাৰিত হৈ আদৰ্শবাদী উদাৰ যুৱকসকলক নানা বৈপ্লৱিক সমিতি গঠনত প্ৰৰোচিত কৰিবলৈ ধৰে। জাৰৰ সাম্ৰাজ্যনীতি, স্বেচ্ছাতন্ত্ৰ শাসন, আইনৰ নামৰ উৎপীড়ণৰ বিৰুদ্ধে জাতিৰ বহুদিনৰ সঞ্চিত ক্ষুব্ধ মনৰ

দাহ আগ্নেয়গিৰীৰ ধাতুস্ৰোতৰ নিচিনা দেশময় প্ৰবাহিত হবলৈ ধৰিলে। স্কুল কলেজত, মধ্যশ্ৰেণীৰ নানা সভা সমিতিত ৰাজশক্তিক সংযত কৰিবলৈ আলোচনা চলিবলৈ ধৰিলে।

পুলিচৰে গুপ্তচৰে ষড়যন্ত্ৰ বিচাৰি হয়ৰাণ হবলৈ ধৰিলে। সচাই মিছাই বহুতক ধৰিলে। সচাই মিছাই বহুতক ধৰিবলৈ ধৰিলে। ফলত কাৰাদণ্ড, নিৰ্ব্বাচন আন কি মৃত্যুদণ্ড পৰ্য্যন্ত হবলৈ ধৰিলে। সমগ্ৰ ৰুছিয়াত অত্যাচাৰ বিস্তাৰ কৰিলে। দুৰ্ব্বল প্ৰজাশক্তি প্ৰৱল ৰাজশক্তিৰ দুৰ্ব্বিসহ অত্যাচাৰত অসহ্য হবলৈ ধৰিলে। কিন্তু বিপ্লৱীদল ভয় নাখালে। বোমা, ৰিভলভাৰ আদি লৈ সুযোগ আৰু সুবিধামতে ৰাজপক্ষক হত্যা, ট্ৰেইন আৰু চৰ্কাৰী অপিচ উৰাই দিবৰ চেষ্টা আন কি জাৰক হত্যা কৰাৰ চেষ্টাও চলিবলৈ ধৰিলে। শত শত যুৱক বন্দী হৈ সুদূৰ চাইবেৰিয়াৰ অৰণ্যত বন্দী হৈ জাতিৰ দুৰ্ভাগ্যৰ প্ৰায়শ্চিত্ত কৰিবলৈ ধৰিলে।

এই ৰাজশক্তি আৰু প্ৰজাশক্তিৰ সংঘৰ্ষণৰ সময়ত হিংসা, হত্যা, ষড়যন্ত্ৰৰ বিষবাষ্পেৰে ভৰা ৰুছিয়াৰ নিৰানন্দ প্ৰজাৰ ঘৰত ১৮৭০ এপ্ৰিলৰ দিনা চিমব্ৰিস্ক নামে গাওঁ এখনত লেলিনৰ জন্ম হয়। তেওঁৰ পিতাক কৃষিকাৰ্য্যৰ পৰিবৰ্ত্তে প্ৰাথমিক বিদ্যালয়ৰ পৰিচালকৰ ভাৰ লৈছিল। তেওঁ সহৃদয় দয়ালু, আৰু জনপ্ৰিয় আছিল। লেনিনৰ ককায়েকক ষড়যন্ত্ৰৰ অপৰাধত জাৰ তৃতীয় আলেকজন্দাৰৰ আদেশত প্ৰানদণ্ডত দণ্ডিত কৰি মাৰা হয়। প্ৰাথমিক শিক্ষা সাঙ্গ কৰি লেনিনে কাজান বিশ্ববিদ্যালয়লৈ আইন পঢ়িবলৈ যায়। কাৰণ প্ৰাণদণ্ডত দণ্ডিত বিপ্লৱীৰ ভায়েক বুলি ৰাজধানীৰ কোনো বিদ্যালয়তে তেওঁক সোৱাৰ হুকুম নাছিল। কিন্তু কাজানতো তেওঁ থাকিব নোৱাৰিলে। ছাত্ৰ বিপ্লৱী সঙ্ঘৰ কাৰ্য্যত সহায়তা কৰা অপৰাধত তেওঁক তাৰ পৰাও বাহিৰ কৰি দিয়া হয়। ইয়াৰ চাৰি বছৰ পিছতহে তেওঁ ওকালতী পাছ কৰিছিল যদিও ব্যৱসায় আৰম্ভ কৰিবলৈ তেওঁৰ সমুলি ইচ্ছা নাছিল।

ককায়েকৰ উৎসাহতেই লেনিনেও বিপ্লৱ আন্দোলনৰ কৰ্ম্মীসকলৰ লগত পৰিচিত হৈছিল। বিশেষকৈ ছাত্ৰ বিপ্লৱী সমিতিবোৰৰ লগত তেওঁ ঘনিষ্ঠ সম্বন্ধ ৰাখিছিল ১৮৮৭ খৃষ্টাব্দত বিপ্লৱ ষড়যন্ত্ৰৰ অপৰাধত তেওঁৰ ককায়েক আলেকজেণ্ডাৰ আইলিছ উইলিয়ানফ্ মৃত্যুদণ্ডত দণ্ডিত হয়। এই ঘটনাই তেওঁৰ তৰুণ প্ৰাণত বৰ আঘাত দিয়ে আৰু জীৱনৰ গতি অইন পিনে ঢাল খুৱায়। সেইসময়ত তেওঁৰ ১৮ বছৰ মাথোন বয়স। তেতিয়া বিপ্লৱী সকল নানাদলত বিভক্ত আছিল। এই সকলো দলেই জাৰ শাসনৰ উচ্ছেদ সাধনা কৰিছিল সচাঁ—কিন্তু কোনো সুস্পষ্ট আদৰ্শ তেওঁলোকৰ আগত নাছিল। স্বেচ্ছাচাৰী শাসনতন্ত্ৰৰ পৰিবৰ্ত্তে মধ্যশ্ৰেণীৰ পাৰ্লামেণ্টেৰী শাসন পদ্ধতিৰ অনুৰূপ শাসনতন্ত্ৰৰ প্ৰতিষ্ঠানেই আছিল তেওঁলোকৰ লক্ষ্য। কিন্তু এই বিপ্লৱ নায়কসকলৰ প্ৰতি লেনিনৰ গভীৰ শ্ৰদ্ধা ভক্তি থকা স্বত্বেও তেওঁ কোনো দলত যোগ দিয়া নাছিল। তেওঁৰ অন্তৰত জাৰ্ম্মাণীৰ বিখ্যাত কাৰ্ল মাৰ্কছৰ মতবাদেই গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ সমসাময়িক বিপ্লৱীসকলৰ উদ্দেশ্যৰ লগত একমত হৈও তেওঁলোকৰ আদৰ্শৰ প্ৰতিবাদ কৰিছিল। কাৰণ তেতিয়াৰ পৰায়ে তেওঁৰ তৰুণ হৃদয়ত ভবিষ্যতৰ মহৎ সম্ভাৱনা ধীৰে ধীৰে জাগি উঠিছিল।

সম্পূৰ্ণ ভিন্নভাৱাবলম্বী হৈও তেওঁ জোলিয়াকফ, ছোফি, মিখিলোভস্কী প্ৰভৃতি বিপ্লৱী নেতাসকলক বৰ শ্ৰদ্ধা আৰু ভক্তি কৰিছিল। যিসকলে বোমা, ৰিভল্‌ভাৰ প্ৰভৃতিৰ দ্বাৰা প্ৰৱল প্ৰতাপান্বিত জাৰৰ বিৰুদ্ধে অভিযান কৰাৰ সাহস কৰিছিল—সিসকলৰ দুৰ্দ্দমনীয় শক্তিৰ ওচৰত তেওঁ মূৰ দোঁৱাইছিল। উনৈশ শতিকাৰ শেহভাগত জাৰৰ অত্যাচাৰ ইমান কঠোৰ আৰু নিৰ্ম্মম হৈ উঠে যে গোটেই দেশখন জাতিৰ বৃহৎ কাৰাগাৰত পৰিণত হৈছিল।

সেই সময়ত প্ৰৱল বাধাৰ মাজতো ৰুছিয়াৰ শ্ৰমিক সকলৰ শ্ৰেণী-বোধ-জ্ঞান অলপ অলপ জাগ্ৰত হব ধৰিছিল। অত্যাচাৰ আৰু উৎপীড়ণত গোটেই জাতিটো জড়বৎ নিশ্চেষ্ট আৰু উদাসীন হৈ পৰিছিল। তেনে স্থলত সেই দুৰ্দ্দিনৰ সময়ত যিসকলে বিপ্লৱ আৰু বিদ্ৰোহৰ কথা প্ৰচাৰ কৰিছিল—সিসকল নিশ্চয় জাতিৰ মুক্তিৰ অগ্ৰদূত আছিল।

আদৰ্শ আৰু মূলনীতিত পাৰ্থক্য থাকিলেও লেনিনে কৈছিল যে এই বিপ্লৱ আন্দোলনৰ গৰ্ভতেই 'সম-স্বত্ববাদৰ' জন্ম। তথাকথিত স্বদেশিকতাৰ অস্পষ্ট আবৰণেৰে প্ৰকাশিত, শ্ৰেণীশাসনমূলক আদৰ্শৰ পৰিবৰ্ত্তে কাৰ্ল মাৰ্কছৰ আন্তৰ্জ্জাতিক কৃষক শ্ৰমিক সকলৰ মুক্তিৰ কল্পনাৰ ওপৰত প্ৰতিষ্ঠিত বিৰাট বিপ্লৱৰ অগ্ৰদূত ৰূপে ৰুছিয়াৰ কৃষক শ্ৰমিকসকলে স্বাধীনতা লাভ কৰিব—এয়ে আছিল লেলিনৰ আদৰ্শ। এই আদৰ্শ তেওঁ ত্ৰিশ বছৰ ধ্যান কৰিছিল, প্ৰচাৰ কৰিছিল আৰু অৱশেহত হিমালয় সদৃশ বাধা বিঘ্নবোৰক দূৰ কৰি প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল।

বিপ্লৱী নেতাসকলৰ ভিতৰত জোলিয়াকফো প্ৰথমে কৃষক শ্ৰমিক সকলৰ হকে সমাজতান্ত্ৰিক বিপ্লৱৰ সূচনা কৰে। চৰিত্ৰ আৰু ভাৱত তেওঁ বলছোভিক আৰু সম স্বত্ববাদী আছিল লেনিনে এওঁক ভাল পাইছিল কিন্তু ৰুছিয়াৰ প্ৰথম শ্ৰমিক নেতা খাল্‌টুৰীনক, যাক দেখা তেওঁৰ ভাগ্যত নঘটিল বৰ বেছি ভাল পাইছিল। এই খাল্‌টুৰীনেই জাৰৰ "উইণ্টন্ প্ৰাসাদ" উৰাই দিছিল। সৰ্ব্বপ্ৰথম তেৱেঁ শ্ৰমিকসকলৰ পক্ষৰ পৰা জাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। লেনিনে কৈছিল—"যিদিনা শ্ৰমিক আৰু কৃষকসকলৰ মাজৰ পৰা খাল্‌টুৰীনৰ দৰে কেইজনমান ডেকা ওলাব সিদিনাই আমি অজেয় হম, জাৰ আৰু মধ্যশ্ৰেণীৰ আধিপত্য আৰু প্ৰভুত্বৰ অৱসান হব"।

পোন প্ৰথমে লেনিনে পেট্ৰোগ্ৰাডলৈ যায় আৰু শ্ৰমিক সকলৰ মাজত প্ৰচাৰ কাৰ্য্যত ব্ৰতী হয়। শিক্ষিত আৰু মধ্যশ্ৰেণীৰ বিপ্লৱী সকলে কিন্তু প্ৰথমে ছাত্ৰসম্প্ৰদায়ৰ মাজতহে প্ৰচাৰ কাৰ্য্য চলাইছিল। তাৰ পাছত লেলিনে মাৰ্কছৰ অনুগামী সকলক সন্ধান কৰিবলৈ ধৰিলে কিন্তু তেনে উগ্ৰপন্থী তেতিয়া পেট্ৰোগাৰ্ডত বৰ কম আছিল। সকলোৱে তথাকথিত গণতন্ত্ৰবাদী বৈপ্লৱিক ভাৱত ভাৱাপন্ন। কিন্তু সেই বুলি তেওঁ হতাশ নহল। প্ৰায় দুবছৰ অতি চেষ্টা কৰি কেইজনমান মাৰ্কছ পন্থীৰ লগত লগ লাগি শ্ৰমিক সঙ্ঘ স্থাপন কৰিলে আৰু সাময়িক কাকত পত্ৰত প্ৰৱন্ধ আদি লেখি শ্ৰেণী শাসন অনুৰাগী বিপ্লৱী সকলৰ মত আৰু যুক্তিবোৰক আক্ৰমণ কৰি লেখিবলৈ ধৰিলে। তেওঁৰ যুক্তি পূৰ্ণ অৰ্থনৈতিক প্ৰৱন্ধবোৰে আৰু ৰাষ্ট্ৰীয় সমস্যাৰ নতুন ব্যাখ্যা বোৰে প্ৰাচীন পন্থী নেতাসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিলে। কোনেও তেওঁক বাধা দিব নোৱাৰিলে। তেওঁৰ শক্তিশালী চিন্তাধাৰাৰ বিজুলী পোহৰ কেউপিনে বিয়পি পৰিল। সহকৰ্ম্মী সকলক লগত লৈ শ্ৰমিক ধৰ্ম্মঘটৰ সূত্ৰপাত আৰম্ভ কৰিবলৈ ধৰিলে। সেই সময়ত "জৰিমানা" নামে এখন সৰু পুস্তিকা তেওঁ প্ৰকাশ কৰে। এই সৰু কিতাপ খনৰ দ্বাৰা কাৰ্ল মাৰ্কছৰ সিদ্ধান্তবোৰৰ প্ৰতি শ্ৰমিক সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। শ্ৰমিক সকলে কথাই কথাই জৰিমানা দিব লাগিছিল। গতিকে এই জৰিমানাৰ বিৰুদ্ধে শ্ৰমিকসকলক উত্তেজিত কৰি মালিকসকলৰ লগত সংঘৰ্ষ লগোৱা তেতিয়া বৰ টান নাছিল। এই সুযোগতে তেওঁ গুপ্ত পুস্তিকা শ্ৰমিকসকলৰ মাজত বিতৰণ কৰি ধৰ্ম্মঘট কৰিবলৈ উত্তেজিত কৰিছিল আৰু তেওঁ নিজে শ্ৰমিকসকলৰ ঘৰে ঘৰে গৈ মুক্তিৰ নতুন নতুন কথাৰ প্ৰচাৰ কৰি ফুৰিছিল। এই বোৰ কাৰ্য্যৰ বাবে পুলিচৰ দৃষ্টি তেওঁৰ ওপৰত পৰিল আৰু পাছত গুপ্তচৰ লাগিল। কিন্তু তথাপিতো যথাসম্ভৱ সতৰ্ক থাকি ৰুছিয়াৰ বিপ্লৱ আন্দোলনত তেওঁ এক নতুন শক্তিৰ উদ্বোধন কৰিছিল। অৰ্থনৈতিক আৰু ৰাষ্ট্ৰীয় সাম্যৰ ওপৰত প্ৰতিষ্ঠিত গণমুক্তিৰ যি আদৰ্শ তাক তেওঁ প্ৰচাৰ কৰিবলৈ ধৰাত ৰুছিয়াৰ অবিৰত বিপ্লৱীসকলেও শঙ্কিত হৈছিল।

ইয়াৰ অলপ পাছতেই পুলিচৰ হাতত ধৰা পৰি তেওঁ দীৰ্ঘকাল কাৰাগাৰত থাকিবলগীয়া হৈছিল। জেলৰ পৰা খালাচ পায়েই তেওঁ ৰুছিয়া ত্যাগ কৰে। কিন্তু কিছুদিন পিছত পুনৰ ৰুছিয়াতে ধৰা পৰি ছাইবেৰীয়ালৈ নিৰ্ব্বাসিত হয়। অৱশেহত ছাইবেৰীয়াৰ পৰা কোনোমতে পলাই তেওঁ য়ুৰোপৰ আন ঠাইলৈ যায় আৰু সকলোদেশৰ নিৰ্ব্বাসিত ৰাজনীতিক সকলৰ একমাত্ৰ আশ্ৰয়স্থান চুইট-জাৰলেণ্ডত কিছুদিন থাকে।

অসামান্য আত্ম-নির্ভরতা, জাতিব, স্বদেশব আক সমগ্র বিশ্বব ক্রমক শ্রমিক সকলব সমুজ্জল ভবিষ্যৎ আক শক্তি-সম্ভারনাব ওপবত প্রগাঢ় আস্থা, অতুলনীয় প্রতিভা আক পাণ্ডিত্য আত্মবিস্তৃত সাধনাব যি সুবিস্তৃত কাহিনী তাব সম্যক বিবরণ এই সামান্য পবিচয়ত দিয়া অসম্ভব।

সেইসময়ত তেওঁ আন্তর্জ্জাতিক শ্রমিক সঙ্ঘ সংগঠনব কল্পনাত বিভোব। জার্ম্মানী, ফ্রান্স, ইটালী, অষ্ট্রিয়া প্রভৃতি বিভিন্নদেশব চিন্তানায়কসকলব লগত একত্রিত হৈ তেওঁ দ্বিতীয় আন্তর্জ্জাতিক সঙ্ঘত প্রবেশ কবে। কিন্তু স্বদেশব ৰাজনৈতিক ঘটনাস্রোতব ওপবত হলে তেওঁব তীক্ষ্ণ দৃষ্টি সদায় আছিল। এফালে জাব শাসনব অত্যাচাব আনফালে মধ্যশ্রেণীব প্রভুত্ব স্পৃহা—এই দুই সংঘর্ষণব মাজত থকা কছ জাতিক তেওঁ ক্রমক শ্রমিক সঙ্ঘ সংগঠন কবিবলৈ উদগনি দিবলৈ ধবিলে। নির্ব্বাসনব পবা ওপ্তভাৱে পুস্তিকা আক বাতবি কাকত হেজাবে হেজাবে কছিয়াব প্রত্যেক নগবলৈ, গাঁৱলৈ পঠাব ধবিলে।

নির্ব্বাসনত থকা কালত তেওঁ "কছিয়াব ধনতন্ত্র বৃদ্ধি নামে এখন কিতাপ লিখে। সেই কিতাপখন জানীসকলব দ্বাবা ববকৈ সমাদৃত হৈছিল। সেই কিতাপখনত তেওঁ ১৮৯০ খৃষ্টাব্দব পবা সংঘবদ্ধ ধনতন্ত্রব বৃদ্ধি আক প্রভাৱব গতি আলোচনা কবি তাব প্রতিকাবব উপায় নির্দ্দেশ কবিছিল। তাব পাছত তেওঁ পুঙ্খানুপুঙ্খৰূপে কছিয়াব উদাবনৈতিক, গণতান্ত্রিক বিপ্লবী আক মনোছেভিক প্রভৃতি দলব উদ্দেশ্য আক নীতিক আক্রমণ কবি বৈধ আক আইন সঙ্গত উপায়ে মার্ক্সব মতবাদ দ্বাবা প্রচাৰকাৰী সকলব ভ্রান্ত আদর্শব পবা কছিয়াব শ্রমিক ক্রমক সঙ্ঘবোধক আত্মবক্ষা কবিবলৈ পবামর্শ দিবলৈ ধবিলে।

১৯০১ খৃষ্টাব্দত চুইটজাবলেণ্ডব পবা কেজনমান সহকর্ম্মীব সৈতে তেওঁ 'ইস্ক্রা' (স্ফুলিঙ্গ) নামে এখন বাতবি কাকত উলিয়ায়। এই বুৰঞ্জী বিখ্যাত কাকত খনিয়েই কছিয়াব শ্রমিক আন্দোলনব এক নতুন যুগ আনে। তেওঁব ব্যক্তিত্ব আক প্রতিভাব বৈশিষ্ট্যেবে লেখা "কৰ পবা আবম্ভ কবিব লাগিব," "কি কবিব লাগিব" ইত্যাদি প্রবন্ধবোবৰ জবিয়তে তেওঁ শ্রমিক ক্রমক আন্দোলনব সংগঠন, বলছেভিকদলব উদ্দেশ্য আক অভিপ্রায় আক বিদ্রোহব প্রয়োজনীয়তা আদি বুজাবলৈ চেষ্টা কবিছিল। এইবিলাকব পবা কছিয়াব বাষ্ট্রীয় চিন্তাত এটি বিক্ষোভ উপস্থিত হয় আক গণতান্ত্রিক বিপ্লবীসকলে এই উদ্ধত যুৱকব ওপবত কষ্ট হৈ উঠে। লেনিনেও তেওলোকক সুবিধাবাদী, ধনতন্ত্রব উপাসক প্রভৃতকাৰী নবধাৰক বুলি গালি দিবলৈও কুণ্ঠিত নহৈছিল। সুবিধাবাদী মধ্যশ্রেণীব বিপ্লবীসকলে লেনিনব চৰিত্রসম্বন্ধে নানা কুৎসা বটনা কবি তেওঁক কছিয়াত হেয় প্রতিপন্ন কবিবলৈ যথেষ্ট চেষ্টা কবিছিল।

১৯০৩ খৃষ্টাব্দত অতি গোপনে বলছেভিকদলব কংগ্রেছব অধিবেশন হয়। প্লিখানক, এক্সেলবদ প্রভৃতি শ্রমিকনেতা সকলেও তাত যোগ দিছিল কিন্তু তেওঁলোকে লেনিনব কঠোব আদর্শবাদ গ্রহণ কবিব নোৱাবি আক আগন্তুক বিপ্লবব সম্ভাবনা দেখি মানছেভিকদলব লগত যোগ দিয়ে। আন কি, লেনিনব পৰম অন্তবঙ্গ বন্ধু, চাইবেবীয়াব নির্ব্বাসনব সাঙ্গী মার্টকেও মুনলীতি ত্যাগ কবিবলৈ প্রস্তুত হৈছিল। তেতিয়া লেনিনে কৈছিল—"তোমালোক সকলো গলেও মই অকলেই মার্কছীয় বিদ্রোহব পতাকা দৃঢ়হস্তে ধবি থাকিম্।"

১৯০৬ খৃষ্টাব্দত বিদ্রোহ আবম্ভ হয় কিন্তু প্রবল ৰাজশক্তিয়ে বিদ্রোহ দমন কবে। যদিও বিদ্রোহ সফল নহল তথাপিতো ইয়াব পবা বলছেভিকদলব বহুতো লাভ হয়। এই বিদ্রোহত লেনিনব মহা আনন্দ। তেওঁ এই গৌৰবময় আন্দোলনৰ্গব মাজেদি কছিয়াব ভাবী বিপ্লবব পূর্ব্বাভাষ দেখিবলৈ পাইছিল। সকলো ঠাইব পবা এই বিদ্রোহব ঘটনা আক নায়কসকলব নাম-ধাম যোগাব কবি ইয়াব বুৰঞ্জী লেখিবলৈ ইচ্ছা কবিছিল। ইয়াব অভিজ্ঞতা, ভুল-ভ্রান্তি আদি ভবিষ্যতে কামত আহিব বুলি তেওঁ সাধাবণ শ্রমিকসকলব মাজত কেনেকৈ মস্কো বিদ্রোহ জয়যুক্ত নহল ইত্যাদি কথা প্রচাব কবিছিল।

তেতিয়া তেওঁব হৃদয় ভবিষ্যতব মহৎ সম্ভাবনাব আশাত উদ্দীপ্ত। জাবব বিৰুদ্ধে, ধনতন্ত্রব বিৰুদ্ধে, মধ্যশ্রেণীব গণতান্ত্রিকতাব বিৰুদ্ধে মস্কোব শ্রমিকসকলে বিদ্রোহ কবিছে—হ'ক পবাজয় তথাপিতো এয়ে প্রথম বিদ্রোহ—এয়ে প্রথম বুজী আক এই বুৰঞ্জীব স্রষ্টা তেওঁবে প্রচাবিত মতবাদ।

লেনিনে আত্ম-গোপন কবিও ছোভিয়েট সঙ্ঘ স্থাপন কবি ফুবিছিল। ৰাজশক্তিব তীক্ষ্ণ দৃষ্টিব চকুত ধূলি মাবি গোপনে মেল-মিটিং আদিও কবিছিল। ছোভিয়েট খুলিলে তেওঁ কেৱল শ্রমিক সকলব বেতন, অন্তৰ্-অভিযোগ সম্পর্কিত প্রতিকাবব বাবে স্থাপিত শ্রমিক সঙ্ঘক বুজিছিল—তেওঁ বুজিছিল বাষ্ট্রব সকলো দায়ীত্ব গ্রহণ কবিবলৈ সঙ্ঘবদ্ধ শ্রমিকসকলব উদ্যম। বন্ধুবর্গব পবামর্শত তেওঁ পুনব কছিয়াব পবা পলায়। তেওঁব অনুপস্থিতিত সংগঠন কার্য্য তেওঁব সহকর্ম্মী সকলেই কবিছিল। তেওঁ দুবব পবা উৎসাহ উপদেশ দি আদর্শ প্রচাবত ব্যস্ত থাকিলে। দুঃখ-কষ্ট-নির্য্যাতনত ভ্রুক্ষেপহীন মহাতপস্বাৰ তপস্যা লেনিনব ওচবলৈ ধীবে ধীবে উদাব যুৱকলা আহিবলৈ ধবিলে।

১৯০৫ খৃষ্টাব্দত বিদ্রোহব ব্যর্থতাব বাবে তাব পাছব বছবত গোটেই দেশত এটি অবসাদব প্রতিক্রিয়া উপস্থিত হয়। প্রাচীন দলবোব ৰাজ-অত্যাচাবত ছত্রভঙ্গী হয়; কেৱল মুষ্টিমেয় বলছেভিকদলে বিদ্রোহব মন্ত্র জপি জপি সুদিনব প্রতীক্ষা কবি আছিল। সেই সময়ত তেওঁ বহুতো মুগাবান অর্থনৈতিক কিতপ লেখি তেওঁব মতবাদ প্রচাব কবিছিল। তেওঁব সেই কিতাপবোবক যুৱাপব নানা ভাষালৈ অনুবাদ কবি শিষ্য সকলে বিলাই দিছিল।

১৯১০ খৃষ্টাব্দত পুনবায় আশাব সঞ্চাব দেখা দিয়ে। শ্রমিক আন্দোলনত নতুন প্রাণব স্পন্দন দেখা যায়। সেই বছবব লেনাব সোণব খনিব ধর্ম্মঘটব শ্রমিক হত্যাই ঘটনা-চক্রব গতি ফিবাই দিয়ে। ১৯১২ খৃষ্টাব্দত লেনিনে ট্রটস্কী, জিনোভিফ, ষ্টেলিন প্রভৃতি সহকর্ম্মী সকলক লগত লৈ পেবিচব পবা পেট্রোগার্ডব ওচবব গেণিলিয়াব নামে ঠাইলৈ যায়। এই সময়ব পবা বলছেভিকদলে ক্রমান্বয়ে শক্তি সঞ্চয় কবি প্রবল হবলৈ ধবে। পাছত কাকুত নামে ঠাই এডোবব'ত থাকি লেনিনে পেট্রোগার্ড আক মস্কোব পবা অহা নেতাসকলব মাজত প্রচাব কার্য্যব বাবে নতুন বাতবি কাকত "প্রাভ্দা" উলিয়ায়। ধীবে ধীবে গোটেই দেশত সাম্যবাদ প্রবেশ কবিবলৈ আবম্ভ কবিলে। ১৯১৩ খৃষ্টাব্দত পেট্রোগার্ডব ধাতু আক শিল্পৰকাবখানাব শ্রমিক সকলে স্বীকাব কবি ছোভিয়েটব অন্তর্ভুক্ত হয়। সেই সময়ত লেনিনব ভয়ানক বেমাব। বোগশয্যাত এই খবব পাই তেওঁ অতি আনন্দ লাভ কবিছিল।

যুৱোপব মহাযুদ্ধব সময়ত লেনিনে তেওঁব সঙ্গী সকলেবে সৈতে গেলিচিয়াবব কোনো এটি অজ্ঞাত ঠাইত বাস কবি আছিল। সাম্রাজ্যিস্ট্ ধনতান্ত্রিকসকলে যে ভ্রান্ত জাতীয়তাব নামত এখন মহাযুদ্ধ লগাব—তাক তেওঁ আগেয়েই অনুভৱ কবিব পাবিছিল। আক তেওঁ আশা কবিছিল যে সেই সুযোগতে জগতব সকলো দেশব শ্রমিক-ক্রমক নেতাসকলে জনসাধাবণক বিদ্রোহী কবি তুলি বাষ্ট্র পবিচালনব ভাব ধনী আক আভিজাত্য সম্প্রদায়ব হাতব পবা কাঢ়ি লব। কিন্তু যুদ্ধব সময়ত দেখা গৈছিল যে সকলো দেশব "ছোছিয়েল ডেমোক্রেটৰ্" সকলে যুদ্ধত সহায়হে কবিছিল। সকলো দেশতে গণতান্ত্রিক 'ছোছিয়েলিষ্ট' সকলে মিছা স্বদেশ প্রেমব মন্ত্র মাতি ক্রমক আক শ্রমিক সকলব স্বার্থব বিষয় উদাসীন ভাব দেখুৱাইছিল। এইবিলাক দেখি লেনিনে আন্তর্জ্জাতিক বিদ্রোহব আশাত জলাঞ্জলি দিয়ে আক সাম্রাজ্য বাদীসকলব এই যুদ্ধত তেওঁ শ্রমিকসকলক সাহায্য কবিবলৈ বা যোগ দিবলৈ নিষেধ কবে আক সেই যুদ্ধখনকেই গৃহযুদ্ধত পবিণত কবি ধনী আক আভিজাত্য সম্প্রদায়ব উচ্ছেদ সাধন কবিবলৈ পবামর্শ দি এখন ইস্তাহাব প্রচাব কবে। এই ইস্তাহাবখন ইউবোপব বহুদেশলৈ অনুদিত হৈ প্রচাবিত হৈছিল। কিন্তু লেনিনব এই কথাও কোনেও গণপাতকে নকবিলে। আন কি, কছিয়াব বিপ্লবী নেতা বকোভস্কীও লেনিনব ওপবত অসন্তুষ্ট হৈছিল। এনে কি, লেনিনব সহচব লিদবোবেও গৃহযুদ্ধব আদর্শ বুজি

নাপাইছিল, তেওঁ আছি লেনিনক কৈছিল—"তুমি বাহিৰৰ পৰা গৃহযুদ্ধৰ প্ৰবোচনা দিছা সঁচা, কিন্তু তুমি যদি কছিয়াত থাকিলাহেঁতেন তেনেহলে কেনেকৈ এনে কথা কলাহেঁতেন তাক চালোহেঁতেন?" তেতিয়া লেনিনে উত্তৰ দিছিল—"তেতিয়া কাল মার্কছে তেওঁৰ বিখ্যাত সাম্যবাদী ইস্তাহাৰ ৰচনা কৰিছিল, তেৰো তেতিয়া স্বদেশত নাছিল, সেইবাবে সংকীৰ্ণ হৃদয়ৰ বাহিৰে আন কোনেও তেওঁক দোষ দিব নোৱাৰে। মোক কছিয়াৰ কৃষক-শ্ৰমিক সকলেই দেশান্তৰলৈ পঠাইছে, আৰু তেতিয়া সময় আহিব, দেখিবা তেতিয়া ঠিক ঠাইত গৈ মই হাজিৰ হম।" পাছত এই কথা আখৰে আখৰে লেনিনে পালন কৰিছিল।

তেতিয়া যুৰোপৰ বণোন্মাদনা ক্ৰমে হ্ৰাস হৈ আহিব ধৰে তেতিয়া অৰ্থনৈতিক সঙ্কটে সকলো ফালে দাবিদ্ৰ্যৰ বিভীষিকা দেখুৱাবলৈ ধৰে। সকলো দেশৰ জন সাধাৰণৰ ধ্ৰুবৰ সীমা নোহোৱা হৈছিল। এই শুভ সুযোগত, মাহেন্দ্ৰক্ষণত লেনিনে তৃতীয় আন্তৰ্জাতিক সঙ্ঘ প্ৰতিষ্ঠা কৰে। জাৰ্ম্মাণী, ইটালি প্ৰভৃতি দেশৰ কিছুমান সমাজ-তন্ত্ৰীয়ে পুনৰায় আহি তাত যোগ দিয়ে। যুৰোপৰ সকলো বাষ্ট্ৰত অন্তৰ্বিপ্লৱ ঘটাই শ্ৰমিক আৰু কৃষক সকলৰ হাতলৈ সমস্ত বাষ্ট্ৰীয় ক্ষমতা অনাই ওঘ আন্তৰ্জাতিকৰ লক্ষ্য। এই ওঘ আন্তৰ্জাতিক সঙ্ঘ আজিও বলছেভিক সকলৰ দ্বাৰায় পৰিচালিত।

সেই সময়ত লেনিনে চুইটজাৰলেণ্ডত আছিল। চুইজ গৱৰ্ণমেণ্টে তেওঁ সম্বাৰে থাকিব বুলি তেওঁৰ পৰা এখন প্ৰতিশ্ৰুতি লেখাই লৈছিল। কিন্তু ঠিক সেই সময়তে তেওঁ তেওঁৰ বিপ্লৱৰ কল্পনাক কাম দিবলৈ অধীৰ হৈ উঠিছিল। ১৯১৫-১৭ খৃষ্টাব্দলৈ—এই দুই বছৰ কাল তেওঁ যে কি অসাধাৰণ পৰিশ্ৰম কৰিছিল—সি কল্পনাৰো অতীত। জাতীয়তাৰ নামত হত্যাব্যৱসায়ী সভ্যশ্ৰেণীৰ বণোন্মাদনাই তেওঁৰ হৃদয়ক তিক্ত কৰি তুলিছিল আৰু সুবিধাবাদী আৰু বিশেষ অধিকাৰবাদী প্ৰত্যেক শ্ৰেণীৰ ওপৰতেই তেওঁ অত্যন্ত অসন্তুষ্ট হৈ উঠিছিল।

১৯১৭ খৃষ্টাব্দৰ মাৰ্চ্চমাহত তেওঁ কছিয়ালৈ উভতি আছে। যুদ্ধক্লান্ত কছিয়াৰ উজ্জ্বলহীন জনসাধাৰণৰ দাবিদ্ৰ্য তেতিয়া চৰম সীমাত। আৰু ছেগ চাই "ছোছিয়াল ডেমোক্ৰেটিক" আৰু মানছেভিকদলে বিদ্ৰোহীতা কৰিবৰ হাতৰ পৰা বাষ্ট্ৰীয় ক্ষমতা কাঢ়ি ললে। ১৯১৭ খৃষ্টাব্দৰ জুলাই মাহৰ বিদ্ৰোহৰ ভূমিকাস্বৰূপ সমস্ত কছিয়া কঁপি উঠে। লেনিলে কিন্তু ধীৰভাৱে এই বিদ্ৰোহৰ গতি আৰু প্ৰকৃতি লক্ষ্য কৰি থাকিলে। সুযোগ উপস্থিত হলেই শ্ৰমিক আৰু কৃষকসকলৰ পক্ষৰ পৰা বাষ্ট্ৰীয় শক্তি কাঢ়ি লবৰ আশাবে দৃঢ় সঙ্কল্প হৈ তেওঁ কাৰ্য্য আৰম্ভ কৰিব ধৰিলে। ১৬জুলাই দিনা বিদ্ৰোহৰ চৰম সীমাত উপনীত হয়। ক্ৰেনোস্কীয়ে জাৰ্ম্মান সীমান্তৰ পৰা সৈন্য লৈ পেট্ৰোগাৰ্ডলৈ আহে আৰু মধ্যশ্ৰেণীৰ বিপ্লৱীসকলে মহাসমাৰোহে বাষ্ট্ৰৰ ক্ষমতা অধিকাৰ কৰি লয়, কছিয়াৰ নগৰে নগৰে বক্তস্ৰোতৰ নদী বয়। সেই সময়ত মানছেভিক দলে বলছেভিকদলৰ লগত আপোচ কৰিবলৈ ধৰিলে কিন্তু লেলিন, ট্ৰটস্কী প্ৰভৃতি বলছেভিক নেতাসকলে আপোচ কৰাত মান্তি নহল। অৱশেষত মধ্যশ্ৰেণীৰ বিপ্লৱীসকলে ছোভিয়েটৰ শক্তি ধ্বংস কৰিবৰ মানসে বলছেভিকসকলক নিৰ্ম্মমভাৱে হত্যা কৰিবলৈ আৰম্ভ কৰিলে। চেণ্ট্ৰেণ্ডৰ মাহত লেনিনে ছোভিয়েটসকলক দেশৰ বাষ্ট্ৰীয় শক্তি হস্তগত কৰিবলৈ উপদেশ দিয়ে। বিপ্লৱী আৰু বলছেভিকসকলৰ মাজত সংঘৰ্ষণ হয়। ক্ৰেনোস্কীয়ে লেনিনক গ্ৰেপ্তাৰ কৰাৰ বাবে পৰোৱানা জাৰী কৰে। লেনিনে গুপ্ত স্থানৰ পৰাই বিদ্ৰোহ পৰিচালনা কৰিব ধৰিলে। কছিয়া পুনৰ নৰবক্ত বঞ্জিত হ'ল। বেঞ্চ বন্ধ হয়, খাদ্যদ্ৰব্য দুমূল্য হয়—আৰু গোটেই দেশত এক কৰাল আতঙ্কৰ ছাঁয়া পৰে। ক্ৰমে মধ্যশ্ৰেণীৰ বিপ্লৱীসকল পৰাজিত হৈ ধীৰে ধীৰে আঁতৰিবলৈ ধৰে।

এই বিপুল বিদ্ৰোহক লেনিনে তেওঁৰ অপূৰ্ব্ব সাহস, অসীম ব্যক্তিত্ব প্ৰখৰ প্ৰভাৱৰ দ্বাৰা পৰিচালিত কৰিছিল আৰু তাক সাফল্যৰ সোপানত উত্তীৰ্ণ কৰি তুলিছিল। কেৱল শত্ৰু পক্ষইহে যে তেওঁৰ বিৰোধী আছিল এনে নহয়। ছোভিয়েটৰো বেছিভাগ প্ৰতি-নিধিয়েই তেওঁৰ বিৰোধী আছিল। এইবোৰ প্ৰাতকূল

অৱস্থা স্বত্বেও পে ট্ৰাগাৰ্ড ৰক্ষা কৰিলে, ছোভিয়েটক ৰক্ষা কৰিলে—বিদ্ৰোহক জয়যুক্ত কৰিলে।

শতাব্দীৰ অত্যাচাৰযুক্ত কছিয়াৰ শ্ৰমিক আৰু কৃষক লেনিনৰ নামত বলিয়া হৈ উঠিল—তেওঁৰ প্ৰতি কথাই সহস্ৰ সহস্ৰ হৃদয়ত অদ্ভুত শক্তিৰ সঞ্চাৰ কৰি তুলিবলৈ ধৰিলে।

লেনিনৰ সকলো কাৰ্য্যত, সকলো সঙ্কল্পত যি জনে আন্তৰীন সহায় কৰি তেওঁক উৎসাহিত কৰি ৰাখিছিল—সিজন আন কোনো নহয়—"মাদাম্ কনষ্টান্টিনোভা" তেওঁৰ সহধৰ্ম্মিনী।

বিপ্লৱৰ সময়কৈও বিপ্লৱৰ পাছত লেনিনৰ দায়ীত্ব বেছি হৈছিল। সেই সময়ত সমস্ত পৃথিবী আছিল তেওঁলোকৰ প্ৰতিকূল আৰু তছপৰি গোটেই দেশত অৰ্থনৈতিক অৱস্থা বিপৰ্য্যস্ত হৈ উঠিল। সেই সময়ত অসংখ্য বাধা-বিঘ্ন অতিক্ৰম কৰি তেওঁ মাৰ্কছীয় আদৰ্শত নতুন ছোভিয়েট আদৰ্শ গঢ়ি তুলিছিল। জাতিয়ে তেওঁক বাষ্ট্ৰ নায়কৰ পদত নিৰ্ব্বাচিত কৰিছিল। আন্তৰ্জ্জাতিক সাম্যবাদৰ আদৰ্শত বাষ্ট্ৰ গঢ়ি তোলাৰ সময়ত তেওঁ কৈছিল—"আমি ৰাজশক্তিক জয় কৰিছোঁ, ধনতন্ত্ৰক জয় কৰিছোঁ, এতিয়া আমাৰ নিজৰ অযোগ্যতাকো জয় কৰিব লাগিব। আন্তৰ্জ্জাতিক শ্ৰমিক সকলৰ আদৰ্শ অনুসৰণ কৰিবলৈ আমি সৰ্ব্বস্ব উৎসৰ্গা কৰিম। ১৯০৪ চনত আমি যি আদৰ্শত অনুপ্ৰাণিত আছিলো, সেই আদৰ্শৰ পৰা তিল-মাত্ৰও বিচলিত নহওঁ"।

১৯১৮—২৪ চনলৈ এই কেবছৰে বিপুল আয়াসে নব-বাষ্ট্ৰ গঠন কৰি, মানৱমহত্ত্ব অনভেদী বিজয়স্তম্ভ ইতিহাসৰ পাততে চিৰস্মৰণীয়কৈ ৰাখি দীন-দৰিদ্ৰ, চিৰ পদদলিত নিৰাশ্ৰয় শ্ৰমিক আৰু কৃষকসকলক মুক্তি দি দৰিদ্ৰৰ ভগৱান, মানৱ মিত্ৰ লেনিনে ইহলোকৰ পৰা প্ৰস্থান কৰে। সমগ্ৰ কছিয়াই শোক-গম্ভীৰ শ্ৰদ্ধাঞ্জলিৰে বীৰত্বপূৰ্ণ কৰিলে, জগতৰ নিপীড়িত কৃষক শ্ৰমিক সকলে এই মহাপ্ৰয়াণত শ্ৰদ্ধা নিবেদন কৰিলে।



কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—কৃপাবৰ

লম্বাই শৰ্ম্মা।—ডাঙৰীয়া গৈছিল নে ?

কৃপাবৰ।—কলৈ হেঁ ?

লম্বাই :—শান্তিৰাম বৰুৱাক চাবলৈ। তেখেত অনেক কালৰ মূৰত নিজৰ জন্মভূমি চাবলৈ আহিছে। আজি অতকাল তেখেত বিদেশত আছিল যদিও স্বদেশৰ প্ৰতি তেখেতৰ প্ৰেমৰ ভাব দেখিলে বৰ ভাল লাগে। বৰ ভাল মানুহ।

বৰবৰুৱা।—মই গৈছিলোঁ ; কিন্তু তোমাৰ শান্তিৰাম বৰুৱাক চাবলৈ নহয়। যলৈ গৈছিলোঁ, তাৰ নামটো নাকাঢ়োঁ ; কাঢ়িলে কি জানি তুমি মোক অসভ্যকে বুলিবা। এটা কথা মই তোমাক কওঁ লম্বাই। ভাল মানুহ, বেয়া মানুহ, তোমাৰ মোৰ "চাৰ্টিফিকেটৰ" ওপৰত নাথাকে ; খিয়াতিৰ বৃষভেও তেওঁক নবয় ; উপাধিৰ পাখি-লগা গৰুওয়ো তেওঁলৈ কান্ধ নাপাতে। ভাল মানুহ বেয়া মানুহ নামৰ গুড়ি পৰুৱাৰে এই ভূ-ভাৰতখন ভৰি আছে। কথাষাৰৰ বাদু বখলিয়াই তোমাক দেখুৱাই দিওঁ চোৱা।

ভাল মানুহৰ সংজ্ঞা, যাক ইংৰাজীত "ডেফিনিশ্যন" বোলে, কি জানানে ? যি মোৰ ভাল কৰে, বা মোৰে সৈতে ভাল ব্যৱহাৰ কৰে, তাকে মই ভাল মানুহ বোলোঁ। আৰু তোমাৰে সৈতে যি তেনে কৰে, তাকে তুমিও ভাল মানুহ বোলা। মোৰে সৈতে যাৰ মনৰ অমিল, যাৰ চলন-ফুৰণ কথাবাৰ্ত্তাত মই উভহা দেখোঁ, সিয়েই মোৰ মতে বেয়া মানুহ ; আৰু তোমাৰ পক্ষেও তেনে কথাই। তোমাৰ ভাল মানুহ শান্তিৰাম বৰুৱা কিজানি ভাল মানুহেই, আৰু পাৰিলে যাবচ্চন্দ্ৰ দিবাকৰ ভালৰ শাৰীতে থাকক, তাত মোৰ আপত্তি নাই ; কিন্তু এনে মানুহো অনেক পাবা যি শান্তিৰাম বৰুৱাৰ নামত "জুইতো নেদে খেৰ।" আমাৰ ভিতৰত এটা ভাব থাকক বান্ধি আছে যে, এই গোটেইখন পৃথিবীৰ উৰণ বুৰণ গজন গমন পদাৰ্থবোৰ আমি ভাল পোৱা কামকে কৰিবলৈ সৃষ্ট হৈছে। তাৰ ব্যতিক্ৰম কোনো পদাৰ্থত দেখিলেই সেই সেই পদাৰ্থ আমাৰ মানত বেয়া। ঈশ্বৰক আমি দয়াময় বুলি তেওঁৰ অশেষ কৰুণাৰ কথা দহখন মুখেৰে শলাগোঁ। কিয় জানানে ? আমি কওঁ "হে ঈশ্বৰ ! তুমি আমাক সুখত ৰাখিছা, আমাৰ সুখৰ নিমিত্তে গছ, লতা, ফুল, পাত, নৈ, পৰ্ব্বত, বন, সৰোবৰ প্ৰভৃতিৰে এই বিনন্দীয়া সৃষ্টি কৰিছা ; গছত সোৱাদ ফল ফলাইছা, নৈত নিৰ্ম্মল সুমিষ্ট পানী বোৱাইছা, শীতল বতাহৰ বা'ৰে আমাৰ গা জুৰ কৰাইছা, মাতৃ-স্তনত স্তন্য দিছা, আমি খাবলৈ প্ৰচুৰ খাদ্যৰ যোগান ধৰিছা, ইত্যাদি ইত্যাদি ; এতেকে হে ঈশ্বৰ ! তুমি পৰম দয়ালু।" "co-education" অৰ "দৌলতত" কলিকতাৰ অমুক কলেজত একেটা শ্ৰেণীতে পঢ়া ছাত্ৰৰ শ্ৰীমান অমলেন্দু হাজৰিকা আৰু ছাত্ৰী শ্ৰীমতী ফেপেন্দী সুন্দৰী বৰাই বসন্তকাল অহা দেখি ভাবিছে যে ঠিক তেওঁলোক দুইৰো মনত ফাকুগুড়িৰে ৰঙোৱা চেৰেকা পানী মাৰি মন ৰঙাই উত্ৰাৱল কৰিবলৈ হে বসন্ত আহিছে ; ভিতৰত থকা আমগছ কেইজোপাই মলিয়াইছে সেই গছত পৰি কুলি এটাই পঞ্চমত ৰাগ তুলি কু-উ ! কু-উ ! কৰিছে ; কৰবাৰপৰা ভোমোৰা গোটাচেৰেকে আমৰ মলৰ চৌদিশে গুঁজৰিছে ; আৰু মালয় দ্বীপৰ ফালৰপৰা মলয় নামৰ বতাহ এছাটিয়ে নিজৰ দেশ এৰি বিদেশী হৈ সেই গছৰ পাতত ৰিৱৰিবাই বলিছে। ইত্যাদি ইত্যাদি। সৰহ নকওঁ সৌ কান্দুৰাৰ বাৰীৰ চাপৰ বাঁহত বাহ লোৱা কাক-দম্পতীয়ে ভাবিছে যে, এই ভূ-ভাৰতখন ছাতি থোৱা এন্ধাৰ ৰাতিটো পুৱাইছে মাথোন সিহঁত দুইৰো কা-কা ৰবৰ বিনোদ নিনাদ শুনিবলৈ হে আৰু কান্দুৰা শইকীয়াৰ গৃহলক্ষ্মী কান্দুৰী শইকীয়ানীয়ে, পুৱাতে সেই কাক-দম্পতীৰ ক্ষুধা নিবৃত্তি আৰু চিত্তবিনোদনৰ অৰ্থেহে, গল ৰাতি ভাত খোৱা কাঁহী বাটীত থকা ছুৱা ভাত-

পানীবোৰ ছুৱাপাতনিত ছটিয়াই থৈছিল। বাৰিষা টোৰটোৰোৱা চুক-ভেকুলীয়ে "ইয়াদ্" কৰিছে যে তাৰ টোৰ্টোৰণিৰ আহ্বানত হে মেঘ-দেৱতাই সন্তুষ্ট চিত্তেৰে বাৰি বৰ্ষণ কৰিছে ! এইবোৰ কি লম্বাই ? বৃথাভিমান, মিথ্যাভিমান, বৃথা গৰ্ব্ব, মিছা-অহঙ্কাৰ নহয় নে ? ভালকৈ মন কৰি চালে তুমি দেখিবা, এই পৃথিবীখন ফিতাহিৰ ওপৰতে চলিছে। লৰাৰ ফিতাহি, ডেকাৰ গণ্ডপ, বুঢ়াৰ বৰ-কথা, মতাৰ ভেম, তিৰুতাৰ প্ৰদৰ্শনী প্ৰেম, বৰৰ ফষ্টি, সৰুৰ নষ্টি, এইবোৰেই এই পৃথিবীৰ বৰ-কাটত বিকিবৰ বস্তু ; বৰ-মেলাত দেখুৱাবৰ সমল, আৰু বৰ-ধলাত দেশ বুৰাই নিবৰ ধল। এটা অবুজ সৰু লৰা বা এজনী সৰু ছোৱালীকে তুমি কৈ চোৱাঁ যে এইটো ছোলাৰে বা এইখন মেখেলাৰে তোক শুৱাই পৰিছে ; দেখিবা সেই ক্ষুদ্ৰ প্ৰাণীটি ওফন্দি পৰিছে। ডেকালৰাই নতুন গঢ়েৰে শেওঁতা ফালি, গালত খুব বুলাই, মিহি মল্‌মল্ বা পাটৰ পাঞ্জাবী চোলা আৰু শেল্ দিয়া চুৰিয়া পিন্ধি দিনৌ ডেকালি কৰি ফুৰা ডেকালিটো বৃথা-গৰ্ব্ব নামৰ পঞ্চাঙ্ক নাটৰ পূৰ্ণ অভিনয়। তিৰুতাৰ "তি"ৰ পৰা "তা"লৈকে পিন্ধন, উৰণ, চলন, ফুৰণবোৰ তেওঁলোকৰ চালিনাচ আৰু জুমুৰা নাচ। আদহীয়া আৰু বুঢ়াও ফিতাহিৰ বজাৰত পৰি-মৰা বিধৰ নহয়। চুলিত "কলপ" অৰ্থ কলা বৰণ সনা, মুখত ন দাঁত বন্ধোৱা, গোফ ডাঢ়িৰ জঙ্ঘলৰপৰা পকা ডাঢ়ি-গোফ এডাল-এডালকৈ তুলি দুয়োটাকে "কপিচ-কুপ" (coppice coupe) কৰি তোলা, ইত্যাদি কৰ্ম্মত তেওঁলোকেও তেওঁলোকৰ ফালৰ পৰা ডেকাৰে সৈতে সমানে পাৰি দিয়া দেখিবা। ব্ৰাহ্মণৰ সৰ্ব্বগুণ বিবৰ্জ্জিত আমাৰ নন্দকিশোৰ পাঁড়েজীয়েও নিজৰ গাত থকা বুলি ব্ৰাহ্মণ্য-গুণৰ ইস্তাহাৰ জাৰি কৰিবলৈ, নিজৰ গাৰ মিৰ্জ্জাই চোলাৰ তলত পৰি থকা লগুণ ডালৰ এডোখৰ টানি উলিয়াই নিজৰ কাণত তুলি থোৱা কাৰ্য্যত "গাফিলতি" কৰা দেখা নাযায়। পূজাৰি বামুণৰ ফোট-ৰেঘা-টিকনি ; বুঢ়া-ভকতৰ জোলোঙাত সুদৰ্শন চক্ৰাকাৰে ঘূৰ্ণিত মালা, ফকিৰ-সন্ন্যাসীৰ ডিঙিত আৰু হাতত খহুৱা-ভেকুলিৰ গা যেন ৰুদ্ৰাক্ষ, কেকোৰাৰ দাৰত চেপেনাৰ দৰে চেপেনা আৰু গাত ছাই ; বি-এ পাছ বিবেকানন্দী স্বামীৰ গাত গেৰুৱা বৰণৰ হলৌ-চোলা ; পৰ্ব্বতৰ নগাৰ গাত কড়ি, ভৰিত বেত, যাঠিত ছাগলীৰ লোম ; নাগিনীৰ কাণৰ ভোমোলা বিন্ধাত—(যি বিন্ধাই দি কাঁৰ্শলা সাপ নালাগে থুলন্তৰ ঢোঁৰা সাপো নিঃসন্দেহে সৰকি যাব পাৰে) ভৰোৱা ফোপোলা জবৰ্জং কেৰু ; দিনাৰামৰ আঙুলিত বাখৰ-পতোৱা সোণৰ আঙঠি ; কেশৱৰাম চকুত সোণৰ বিতচকু ; বতাহী সুন্দৰীৰ নেঘেৰীৰ-খোপাত মালতীফুলৰ চাকি, ভেকোৰাম চিৰস্তাদাৰ কথায়-কথায় ওলোৱা—তেওঁৰে সৈতে তেওঁৰ বৰ চাহাবৰ আলাপৰ গল্প ; উৰণীয়া ডেকা কবি কোকিলচন্দ্ৰৰ দীঘল কেকোৰা চুলি ; ধনী লগুৱাৰ মুখত তামোলৰ ৰাং ; জেতুকী বাইৰ হাতৰ তলুৱাত আৰু নখত জেতুকাৰ ৰঙা বোল ; এইবোৰ এটাইবোৰ মিছা-অহঙ্কাৰ অৰ্থাৎ Vanityৰ পুত্ৰ-পৰিয়াল।

এটা কথা লম্বাই তুমি ভালকৈ মন কৰিছা নে নাই কব নোৱাৰোঁ। মানুহৰ ভিতৰত পৰস্পৰ মিলৰ কৰালটো :—কপটতা, মিথ্যাভিমানতা অনাৰ্জবতা, অসত্যতা, আৰু পৰ-নিন্দা পৰ-কুৎসাৰ সংমিশ্ৰণ। আৰ্জবতা, সত্যতা, সৰলতাৰে এনে টান কৰাল প্ৰস্তুত কৰিব নোৱাৰি। যেতিয়া আগৰবোৰৰ চৰ্চ্চাত আমাৰ ভিতৰত মন খাজেখোপে খাই যায়, তেতিয়াই আমি ততালিকে হৰি-ভকত হৈ পৰোহঁক ; আমাৰ মনৰ তাঁৰ কেইডাল বাজি সুমধুৰ সঙ্গীত সৃষ্টি হয়। এই প্ৰবল বস্তু কেইটাৰ বলত মনুষ্য সমাজ গোট বান্ধি আছে কেনেকৈ ? যেনেকৈ এৰাঁগাখীৰত এফুলা কুঁজী থেকেৰা পেলাই দিলে তাত ছেনা গোট বান্ধে। সেই ছেনাৰে তুমি তেতিয়াই পৰনিন্দাৰ পকা পাকত পান্‌তুৱা, কুৎসাৰ "লেডিকেনিং" মুখতে পমি যোৱা মিছাৰ সন্দেশ, অসৰলতাৰ ৰস-ভৰা ৰসগোল্লা প্ৰস্তুত কৰি, যিমান পাৰা তুমি নিজেও খোৱা আৰু পৰকো খুউৱা,—তুমি তেওঁলোকৰ আইৰ ফালৰ কুটুম হলা। তেতিয়া আন নালাগে, তাৰ গোন্ধত পালে পালে বান্ধ-মাখিয়ে তোমাৰ কাষত ভেন্‌ভেনাবলৈ ধৰিব। ধৰ্ম্ম-সভালৈ, ভাগৱত-পাঠলৈ, চণ্ডীপাঠলৈ, কিন্তু তুমি

মূৰে শপতালেও মানুহ নোপোৱা। আন ফালে তাচ, ডবা, পাশা আদি ব্যসনলৈ? অ' ভাবনা কি? তোমাৰ চৰাঘৰ ভৰি পৰিব। যি বাতৰি-কাকতত পৰনিন্দা আৰু কুৎসাৰ "ভুনি-খিচিৰি" থাকে, তাৰ গ্ৰাহক পাঠকবৃন্দ। খৃষ্টানৰ গিৰিজালৈ সৰহভাগ ডেকা যায় ছোৱালী চাবলৈ, আৰু সৰহভাগ ডেকেৰী যায় ৰমক-জমক বেশেৰে নিজক প্ৰদৰ্শন কৰিবলৈ। বাস্তবিকতে মিছা গৰ্ব্বৰ নিচিনা সুৱগা আৰু এই পৃথিবীত দ্বিতীয়টি নাই। প্ৰকৃতিৰ এইটো মহৎ দানৰ বাবে মই প্ৰকৃতিক ধইন-ধইন বুলিছোঁ। মেজৰ জেনেৰেল হিছকক, কাপ্তান ক্লেণ্ডেষ্টিন, আৰু কৰ্ণেল কিউকম্বৰৰ টক্‌মাৰে সৈতে গাৰ চোলা পটলুঙৰপৰা আৰম্ভ কৰি, জজকমিশ্যনৰৰ জল্‌মলীয়া "লিভৰি" পিন্ধা ছাপ্‌ৰাচীলৈকে তুমি পিয়ল কৰি চাই যোৱাঁ দেখিবা যে সকলোবোৰ বৃথাগৰ্ব্ব বৃষোৎ সৰ্গত উছৰ্গা কৰা জন্তু। পুহমহীয়া ঠেৰেঙা লগা জাৰতো মেমচাহাবৰ আদখিনি বুকু উদং; কাৰণ মিছাগৰ্ব্বৰ সোণচৰোৱা সিংহাসন তাত পতা আছে। মিছা গৰ্ব্বই নিজক মেলাত দেখুৱাবলৈ নাপালে তাৰ থাকিবৰ ঠাই নাই। য়ুৰোপীয় সুন্দৰীৰ ভৰিৰ সৰুগাঠীৰপৰা আৰম্ভ কৰি কলাফুলেদি বগাই সৰ্ব্বাঙ্গত বৃথাগৰ্ব্বৰ কেৰেলুৱা যদি উঠিবলৈ নাপালে তেন্তে সেই সুন্দৰীৰ জনম বৃথা। মুঠিতে-লুকুৱা কঁকালেৰে ৰাণী মন্দোদৰীৰ পৰা গঁঠিয়া মিৰিয়নী আৰু দফলা পৰ্ব্বতৰ দফলীলৈকে তুমি তোমাৰ আহৰীয়া ৰতৰত লক্ষ্য কৰি চোৱা সকলোবোৰ মিছা অহঙ্কাৰৰ বণিজাৰু। কুমাৰৰ চাকত মাটিৰ ভুৰুকাটো ঘূৰাদি এই জগৎখন বৃথাগৰ্ব্বৰ চাকত ঘূৰি আছে। যদি তুমি ইহ জগতত কৃতকাৰ্য্য হব খোজা, তেন্তে নানা গঢ়েৰে, নানা জাতেৰে, নানা সুৰেৰে সকলোকে চাটুবাক্যেৰে আৰু অনেক বৰণেৰে বোলোৱা কাৰ্য্যৰে তুষ্ট কৰিবলৈ শিকা, নতুবা তোমাৰ হেলাতে মানপী গল, তুমি "ফেল" মাৰিলা। চান্দ্ৰায়ণৰ কথাকে নকওঁ, আত্মহত্যাৰেও সেই পাপৰ পৰাচিত হবনে নহয় সন্দেহৰ স্থল। যি যিটো নহয়, যাৰ গাত যিটো গুণ নাই, সি যে সেইটো আৰু তাৰ গাত যে সেইটো গুণ ভালকৈ আছে, এই কথা তুমি যদি তাৰ আগত সজাইপৰাই কব পাৰা আৰু তোমাৰ কথাত খামি পুতি থাকিব পাৰা, তেনেহলে সেইজনৰ তুমি "বাপৰ ঠাকুৰ" হলা, আৰু এই সংসাৰত আগুৱাবৰ বাটত পৰিলা, জানি থবা। কাৰো গাত দোষ দেখিলে তুমি যদি দোষ পাতলাই দি যিমান পাৰা সেই জনক প্ৰশংসা কৰিব পাৰিলা, তেন্তে তোমাৰ "কিস্তি মাত।" মূৰ্খক জ্ঞানী বুলিবা, বুধিনথকাক বুধিয়ক বুলিবা, ভোটাক চোকা বুলিবা, ফেপেন্দীক সুন্দৰী বুলিবা "ওফোন্দা গালীক পাৰ্ব্বতী" বুলিবা,—হৈ গল তোমাৰ জয় জয় কাৰ। খোচামোদৰ নানা উপায় আছে, সেইবোৰ কিটিপ জানি লব লাগিব। হোল্ নেগাজ্ ভকতৰ উদ্ধাৰ নাই। জানিলে, অনেক সময়ত গালি পাৰিও খোচামোদ কৰিব পাৰি। ধৰা, তুমি এজনক মৰম পতিয়াই কলা—"দেউতা আপোনাৰ বুবিটো কেতিয়া পকিব মই আৰু কব নোৱাৰোঁ। লোকক সৰ্ব্বস্বান্ত হৈ সহায় কৰোতেই দেউতাৰ জীৱনটো গল। দেউতাৰ উদাৰ স্বভাৱৰ সুবিধা লৈ কেলেহুৱা চপনীয়া যি যত আছে, সকলোৱে দেউতাক খুলি খুলি খালে। আৰু এনে মূৰ্খামি নকৰিব দেউতা, মোৰ এই বাহী কথাষাৰ ৰাখক।"

মানুহ বুজি কোনোক পোন বাটেদি মুখৰ ওপৰত নশলাগি তেওঁৰ বুকুৰ বান্ধ এজনৰ আগত তেওঁৰ প্ৰশংসা কৰিবা। আৰু সেইজনক সেইকথা কবলৈ হাক দিবা। দেখিবা তোমাৰ কাৰ্য্য সিদ্ধি।

ওখ-আশাৰ ওখ ঠকুৰা হৈছে কৈটব। সি যদিও সদায় গালি খাই আহিছে, কিন্তু আৰু গালি নাপাৰিবা। তাৰো সজগুণ আছে। দোষৰ সাগৰ কলিৰ গাতো এটা সজগুণ দেখি পৰীক্ষিতে তাক নবধি এৰিলে। মানুহৰ গাত মিছা অহঙ্কাৰ আছে যেতিয়া তাক থাকিবলৈ দিয়াঁ। নীহ কামলৈ নানা মিবলৈ তোমাৰ গাত তাক চোকা টেকেলাকৈ লগাই দিয়াঁ। হিংসা, স্বাৰ্থপৰতা, প্ৰবঞ্চনা আদি কুকাৰ্য্য নকৰিবলৈ তোমাৰ গাত গৰ্ব্ব অহঙ্কাৰক থাকিবলৈ দিয়া। কাৰণ তেনে কুকাৰ্য্যত প্ৰবৃত্ত হোৱা সকলৰ ওপৰত তোমাক সি তুলি ৰাখিব। আৰু তেনে হলে তাক পৰীক্ষিতেও নবধে আৰু গৰ্ব্বাচাৰ্য্য বৰবৰুৱা বৰ-বাঘেও তাৰ নেলু ছিঙি তেজ নিপিয়ে।

বৈজ্ঞানিক জগত

সময় নিৰ্ণয়

পৃথিবীৰ একাল ছাঁত থকা বাবে সদায় আন্ধাৰ আৰু আন ফাল—যি ফাল সূৰ্য্যৰফালে থাকে—পোহৰ



এই ছবিটো শূন্যত অৱস্থিত পৃথিবীক বুজাইছে। সূৰ্য্যৰ পোহৰ অনুসৰি এন্ধাৰ আৰু পোহৰত বিভক্ত কৰি দিন-ৰাতি দেখুৱা হৈছে। পৃথিবীৰ ২৪ 'টাইম-জোনৰ' প্ৰত্যেক 'জোনত' সূৰ্য্যক দেখা কোণ অনুসৰি সময় নিৰূপণ কৰা হয়। এই ৰেখা ১৮০° মেৰিডিয়ানত পৰিছে আৰু সাধাৰণতঃ প্ৰশান্ত মহাসাগৰৰ সোঁমাজত মাজনিশা এই ৰেখা পৰে।

আৰু সেইবাবেই একালত সদায় ৰাতি আৰু আন ফালত দিন। পৃথিবীৰ গতিৰ লগত যি ঠাই যি ফালত পৰে সেই ঠাইত সেই মতে দিন নাইবা ৰাতি হয়। সূৰ্য্য কোনো ঠাইত একে সময় মতে উদয় নাইবা অস্ত নহয়, দেখোতাৰ ঠাই অনুযায়ী সূৰ্য্যক তেনেকুৱা দেখা যায়।

মূৰৰ ওপৰত যেতিয়া বেলি উঠে তেতিয়া আমি দুপৰ বুলি কওঁ। দৈনন্দিন জীৱনত যদিও মানুহে নিজৰ ঘৰীত জানিব খোজে ৰাতি পুৱাৰ পৰা কিমান সময় হৈ গ'ল, নিজৰ ঠাইত ভৰ দুপৰ কেতিয়া হব, গধূলিলৈ কিমান পৰ, অৰ্থাৎ ঠিক দুপৰৰ আগখিনিত বা পাছখনিত কিমান বাজিল। তথাপি সকলো ঠাইতে বেলি উঠা বা পৰাৰ সদায় একে সময় নহয় গতিকে সকলোৰে পক্ষে সময় নিৰূপণ কৰি লবলৈ হলে বেলি উঠা-পৰাৰ পৰা ঠিক সময় উলিয়াই লব নোৱাৰি। অৱশ্যে কোনো এঠাইত সেইমতে চলিব পাৰিলেও আন আন ঠাইৰ পক্ষে সি সম্ভৱ নহয়। সেই বাবে পৃথিবীৰ সকলো দেশ আৰু জাতিয়ে মিলি আন্তৰ্জ্জাতিক সুযোগ-সুবিধা, আদান-প্ৰদান আৰু ব্যৱসায়ৰ বাবে সময় নিৰূপণৰ এটি নিয়ম বান্ধি লৈছে। বৈজ্ঞানিক আৰু ৰেডিওত কাম কৰা সকলে এই সময় মতেহে চলে।

গোটেই পৃথিবীখনক ২৪টা সমান ভাগত ভগাই লোৱা হৈছে আৰু প্ৰত্যেক ভাগ ইকুৱেটৰত এহেজাৰ মাইলতকৈ অলপ বেছি বহল। এই একো ভাগক ইংৰাজীত "টাইম জোন" (Time Zone) বোলে। এটি 'জোন'ৰ ঘৰীবোৰে প্ৰায় একে সময় ৰাখিব লাগে (অৱশ্যে ইঠাই সি ঠাইৰ অলপ বিভিন্নতা থাকিব পাৰে।) সাধাৰণতে দিনৰ ভিতৰত তাৰিখ সলনা সলনি অসুবিধা জনক বুলি মাজ নিশা যেতিয়া পৃথিবীৰ বেছি ভাগ মানুহ টোপনিত



গ্ৰীণ উইচ অবজাৰ ভেটৰী

থাকিব তেতিয়া সলোৱাৰ ব্যৱস্থা হৈছে। তাৰ বাহিৰেও কোনো এঠাইৰ পৰা এটি নতুন দিন আৰম্ভ হব লাগিব সেই কাৰণে সকলোৱে মিলি কাল্পনিক 'তাৰিখ-ৰেখা' এটি (Date-line) নির্দ্ধাৰিত কৰি লৈছে। এই তাৰিখ ৰেখা প্ৰশান্ত মহাসাগৰৰ মাজত আৰু ১৮০° ডিগ্ৰীৰ মেৰিডিয়ানত পৰিছে। এই ১৮০° নির্দ্ধাৰিত কৰা তাৰিখ ৰেখাত প্ৰশান্ত মহাসাগৰৰ সৌ মাজত মাজ নিশা তাৰিখ পৰিবৰ্ত্তন হয়। ঠিক এই সময়তে পৃথিবীৰ এফালে ভৰ দুপৰ হয়। অৰ্থাৎ ১৮০° ৰ ওপাৰ ফালে ০°ত সূৰ্য্য ঠিক মুৰৰ ওপৰত উঠে আৰু সেই ঠাইত ১২ বাজে। সাধাৰণতে গ্ৰীন উইচত এই সময় হয়। আৰু গ্ৰীন উইচৰ 'অবজাৰ-ভেটৰী'ত ১২ বাজিলেই এটি দিনৰ সলনি হয়। আৰু ইয়াকেই সাধাৰণতে 'অফিচিয়েল' সময় 'গ্ৰীন উইচ মিন টাইম' 'গ্ৰীনউইচ চিভিল টাইম' (G. C. T.) ইত্যাদি বোলা হয়। গ্ৰীন উইচৰ সময়ৰ কথা অৰ্থাৎ ১২ বজাৰ কথা কলে আন আন দেশৰ মানুহে নিজ নিজ ঠাইৰ ঘড়ীৰ সময় নির্ণয় আৰু কেলেণ্ডাৰৰ তাৰিখ উলিয়াই লব পাৰে। ইয়াত আন কিছুমান জটীলতা থাকিলেও চমুকৈ এই দৰেই সময় নির্ণয় কৰা হয়। এগত দিয়া ছবিটোৰ পৰা ইয়াৰ কিছু আভাস পোৱা যাব।

তোমালৈ

—৺ভগৱতী প্ৰসাদ বৰকৰা

গোলাপৰ কোমল কোলাত
নিয়ৰৰ একনি টোপাল ;
নীৰৱতে পাহি মেল খায়
সকলোটি নিমাত নিতাল।

২

দুপৰৰ সুকযে যেতিয়া
মেলিলেহি পোহৰৰ জাল,
হাঁহি মুখে নিয়ৰৰ প্ৰাণ
গোলাপৰ বুকুতে লুকাল।

৩

তুনা আজি তাহানিৰ মোৰ
জীৱনৰ প্ৰথম অধ্যায়
ধীৰে ধীৰে ধীৰে মেল খাই
তেতিয়াও মাৰ যোৱা নাই।

৪

প্ৰতিটো সেই পোহৰত
তুমি মোৰ ওচৰ চাপিলা,
পোহৰতে এঙ্কাৱেৰে মিলি
তুমি মোক সাৱটি ধৰিলা।

৫

পোহৰৰ এন্ধাৰৰ চাকি
চাঁৎ কৰে এবাৰ নুমালে
কিবা এক নতুন পোহৰে
জগতৰ জেউতি চবালে।

৬

এয়ে পোহৰৰ এন্ধাৰৰ মেলা,
তুমি দেখোঁ সুৎ কৰে গই
মোৰ হৃদয়ৰ পৱিত্ৰ থাপনা
তাতে বহি আছা মাত বোল খই।

৭

তেতিয়াবে পৰা আৰু মোৰ
মাতিবৰ সত যোৱা নাই !
মাথোঁ, দুখ আৰু ধুনাৰ গোন্ধত
অন্তৰত নই বই যায়।

৮

তেতিয়াবে পৰা আৰু মোৰ
সকলোটি নিমাত নিতাল
নীৰৱতা সোণৰ সঙ্গীত
নীৰৱতা অলপিত তাল।

৯

তোমাক বুকুত লৈ আজি
নাও মোৰ নীৰৱে চলিছে
(এই) মহা সিন্ধু নীৰৱতা ভেদি
ক'ত জানো অন্ত পৰিছে !

সময় অতীত

গল্প—

—শ্ৰীবিষ্ণুচৰণ বৰা বি, এল্

সাধাৰণ মানুহৰ যেনেকৈ একোটি পৰিয়াল থাকে সম্ৰাট চাজাহানৰো এটা পৰিয়াল আছিল। সম্ৰাটৰ আৰু সাধাৰণ লোকৰ পৰিয়ালৰ পাৰ্থক্য এই যে সম্ৰাটৰ পৰিয়ালে চৰিত্ৰৰ বৈষম্য আৰু বিবিধগুণত বিশেষ আনন্দ লাভ কৰিছিল কিন্তু সময়ে সময়ে এই বিষয়ে তেওঁবিলাক ইমান বেছিকৈ গৈছিল যে সেয়ে আনন্দদায়ক নহৈ দুঃখপ্ৰদ হৈ উঠিছিল। বাণী মমতাজ মহলৰ সুন্দৰী কন্যা জেহানেৰা আৰু বৌচুনেৰাৰ নিচিনা বিপৰীত চৰিত্ৰ অন্যত্ৰ পৰিয়ালত অতি বিৰল। জেহানেৰা সম্ৰাটৰ প্ৰথমা সন্তান। যৌৱনৰ প্ৰথম লাজুকীয়া মাতৃত্বৰ অনিয়ন্ত্ৰিত আহ্লাদত মমতাজ বেগমে যেতিয়া জেহানেৰাক বুকুত সাৱটি লয় তেতিয়া তেওঁৰ মৰমৰ তাপ হিয়াৰ পৰা গোটেই শৰীৰত শিৰায় শিৰায় বিয়পি যায়। চাজাহানে (তেতিয়া ৰাজকোঁৱৰ খুৰাম) ভাৰী সম্ৰাট হোৱাৰ ধাৰণাত যি আনন্দ উপভোগ কৰিছিল জেহানেৰাৰ মনোহৰ মুখাবয়ব আৰু অঙ্গ প্ৰত্যঙ্গৰ সৌন্দৰ্য্য ৰাশিয়ে তেওঁক তাতোঁকৈ বেছি আনন্দ দিছিল। জেহানেৰা মোহান্ধ মাতাপিতাৰ আনন্দৰ স্বপ্ন হৈ উঠিছিল। তেওঁলোকৰ পিছলৈ যদিও আৰু সন্তান হৈছিল কিন্তু কোনেও জেহানেৰাৰ নিচিনাকৈ মৰমচেনেহ নেপাইছিল। বৌচুনেৰা জেহানেৰাতকৈ বয়সত অলপ সৰু কিন্তু দুয়ো সমান সুন্দৰী। জেহানেৰাই মাতাপিতাৰ পৰা যি মৰম পাইছিল বৌচুনেৰা তাৰ পৰা বহুত আঁতৰত আছিল। জেহানেৰা যদি বেগম চাহেৰা আছিল বৌচুনেৰা চাহাজাদী আছিল। জেহানেৰা যদি বাজ্ঞেশ্বৰী আছিল বৌচুনেৰা ৰাজকুঁৱৰী আছিল। গাত কথা নলগা চালুকীয়া অৱস্থাৰ পৰাই বৌচুনেৰাই এই পাৰ্থক্য অন্তৰত বৰকৈয়ে অনুভৱ কৰিছিল। তেতিয়াৰ পৰাই বাইদেউৰেক প্ৰতি বৌচুনেৰাৰ মনত ঘৃণাৰ ভাব উদয় হলহি।

দৈনন্দিন জীৱনত মাতাপিতাৰ বাৎসল্যৰ এই গাৰ্থক্যৰ বিষয়ে ভাবোতে ভাবোতেই বৌচুনেৰাৰ মনত সঙ্কীৰ্ণতা আৰু মানৱ প্ৰবৃত্তি আৰু কাৰ্য্যৰ অন্ধকাৰময় ভাব আহি পৰিল। জেহানেৰাই মাতাপিতাৰ অন্তৰত ওখ ঠাই অধিকাৰ কৰি কৌতুক-প্ৰিয় অধীৰ আৰু অহঙ্কাৰী হৈ ডাঙৰ হৈছিল। তেওঁৰ মন যদিও সকলো কথাতে সকলোলৈকে মুকলি কৰি ৰাখিছিল কিন্তু পৰৰ মনোভাবৰ প্ৰতি একেবাৰেই চিন্তাশূন্য আছিল। বৌচুনেৰা আছিল আত্ম-জ্ঞানী আৰু ঘোৰ স্বাৰ্থান্ধ আৰু নিজৰ কাৰ্য্য সিদ্ধিৰ বাবে পৰৰ মনোভাব সুক্ষ্মদৃষ্টিৰে দেখি পড়িব পাৰিছিল।

এই বিপৰীত চৰিত্ৰৰ গাভৰু বাই-ভনী দুটিৰ এদিন আবেলি হঠাৎ খাছমহলৰ বাবান্দাত দেখাদেখি হল। জেহানেৰাৰ ভৰপুৰ যৌৱন আৰু মুখত মাতাপিতাৰ মৰমৰে পৰিপূৰ্ণ চালুকীয়া ভাব। বৌচুনেৰাৰ নবীকৈনো যৌৱন কিন্তু বয়সতকৈ বেছি জ্ঞানী আৰু গম্ভীৰ। খাছমহলৰ সমুখত সহস্ৰ উঁহ যোগানধৰা পুখুৰীত গা ধুবলৈ বৌচুনেৰাই নিজৰ কোঠাৰ পৰা ওলাই আহি বাবান্দাত ভৰি দিলেহি। জেহানেৰাই ইয়াৰ পূৰ্ব্বেই গা দুই সুসজ্জিত হৈ বাবান্দাত বহত তিৰোতাৰ মাজত থিয় দি আছিল। তিৰোতাবিলাকে জেহানেৰাই পিন্ধা অতুলনীয় সাজপাৰ প্ৰশংসা কৰি তেওঁক ঘেৰি আছিল। বাস্তৱতে সেই দিনা জেহানেৰাই পিন্ধা সাজপাৰ অতি নয়নৰঞ্জক আৰু বহুমূলীয়া। ঢাকাই মচলিনৰ ওপৰত সোণালী জৰীৰে নানা তৰহৰ ফুল আৰু বুহ দিয়া অতি ধুনীয়া ঘুৰীৰ ভিতৰেদি সোণালী কাককাৰ্য্যৰ মোগল চেমিজৰ বং জিলিকি পৰিছিল। এই চেমিজৰ বং এনে শিল্প কৌশলেৰে তৈয়াৰি কৰা হৈছিল যে বেলেগ ফালৰ পৰা চালে ইয়াৰ বং বেলেগ বেলেগ দেখা গৈছিল। তাৰ ওপৰত কিঞ্চিৎ

সেউজীয়া বেচমৰ অতি পাতল সোণালী কাককার্য্যৰ চাদৰে জেহানেৱাৰ যৌৱন সৌন্দর্য্য সম্পূর্ণকৈ তুলি ধৰিছিল। মুখৰ মুকুটৰ সৌমাজত বহুমূলীয়া এশ ধন মাণিক খচিত কাককার্য্য আৰু কণ্ঠত দুষ্প্রাপ্য হীৰাৰ হাৰ, লকেট লগোৱা মণিমানিক খচিত সোণৰ হাৰ। শিল্পবিশেষজ্ঞৰাবা তৈয়াৰি এই অপূর্ব্ব অলঙ্কাৰ আৰু সাজপাৰ অন্তঃপুৰৰ বাণী সকলৰ হিংসাৰ বস্তু হৈ পৰিছিল।

এই দৰে সুসজ্জিতা জেহানেৱাক সেইদিনা পূর্ব্বতকৈয়ো বেছি সুন্দৰী আৰু অভিমানিনী যেন বোধ হৈছিল। তেওঁৰ চকুৰ জ্যোতি বুকুত পৰি থকা উজ্জ্বল হীৰাৰ দৰে জিলিকি আছিল। সজ্ঞান সৌন্দর্য্যৰ পৰা ওপজা আহ্লাদৰ অহঙ্কাৰ জেহানেৱাৰ সুকোমল অবয়ৱৰ শিৰাই শিৰাই বিৰিঙ্গি ওলাইছিল। সেই গন্ধেকলেকে মহিলা মহলত নতুনকৈ সজা খাছমহলৰ সৌন্দর্য্য আৰু কাককার্য্যৰ প্রশংসাৰ বাহিৰে অন্য কোনো আলোচনাৰ বিষয় নাছিল। কিন্তু এই মুহূর্ত্তেও জেহানেৱাৰ অলঙ্কাৰ আৰু সাজপাশ্বৰ তুলনাত খাচমহলৰ প্রশংসা জোনৰ আগত তৰাৰ দৰে তুচ্ছ হৈ পৰিল। ভিতৰৰ পৰা ওলাই আহি হঠাৎ দেখা এই ঘটনাই বৌচুনেৱাক বিচলিত কৰি মুখৰ বৰণ সলাই দিলে আৰু জেহানেৱাই অবজ্ঞাসূচক হাঁহিমাৰি ভনীয়েকৰ চকুলৈ চালে। যি ঠাইত আঘাত দিবলৈ বিচাৰিছিল ঠিক সেই ঠাইত গভীৰ আঘাত পৰিছে ভাবি জেহানেৱাৰ মুখ আগতকৈ প্রফুল্ল হৈ উঠিল। চকুৰ পচাবতে বৌচুনেৱাই নিজক স্বাভাৱিক অৱস্থালৈ আনিলে আৰু মিচিকিয়াই হাঁহিমাৰি তাচ্ছিল্যভাবে বাইদেৰেকক সুধিলে "এইয়ে তেমোৰ বহুমূলীয়া নতুন সাজ নে কি?" জেহানেৱাই ভাবিছিল তেওঁৰ এই সাজপাৰে ভনীয়েকক মর্ম্মাহত কৰি তেওঁৰ জীৱন মৰুময় কৰি তুলিব কিন্তু বৌচুনেৱা নিজৰ মনকষ্ট মুখাবয়ৱত প্রকাশ কৰি বাইদেৰেকৰ ওপৰত পৰাজয় দেখুৱা বিধৰ ছোৱালী নাছিল। ভনীয়েকৰ সম্পূর্ণ নিস্পৃহ উদাসীন ভাব দেখি জেহানেৱা আকৌ কষ্ট হৈ নিজেইহে মনত অশান্তি অনুভৱ কৰিবলৈ ধৰিলে। বৌচুনেৱা গা মুৰলৈ দীঘ ভাবে পুথুৰীলৈ যোৱাৰ পিছত জেহানেৱাই তেওঁৰ উদ্দেশ্য সাফল্য নোহোৱাত নিজৰ নির্জ্জন কোঠালৈ গৈ বোহ পাতি মনৰ বেজাৰত শুই পৰিল। বৌচুনেৱাইয়ো গা ধুই আহি সাজপাৰ পিন্ধি অশান্তিত বিচনাত পৰিল। মাতাপিতাৰ এনে পক্ষপাত আৰু অৱহেলাৰ ভাব তেওঁৰ পক্ষে অসহ্য হৈ উঠিল। সুবিধা পালে বাইদেৰেকক যথাসম্ভৱ নীচ আৰু অপমানিত কৰিবলৈ তেওঁ মন বান্ধিলে। ইতিপূর্ব্বেই তেওঁ বৃদ্ধ পিতা সম্রাট চাজাহানক ঠেলামাৰি পেলাই জেহানেৱাৰ ভাগ্যবিপর্য্যয় ঘটাবলৈ সুবিধা বিচাৰিব বুলি স্থিৰ কৰিছিল কিন্তু তেওঁ নিজেই বুজিব পাৰিছিল যে এইটো সম্পূর্ণই শিশু সমুচিত স্বপ্ন। এতিয়া তেওঁ প্রতিশোধৰ কার্য্যকৰী সাকৰা উপায় দেকে চিন্তা কৰিবলৈ লাগিল।

(২)

বছৰৰ পিছত বছৰ এই দুটি অদ্ভুত বাই-ভনীৰ মুখৰ ওপৰেদি যাবলৈ ধৰিলে—এটাইবিলাকেই ঘটনাপূর্ণ বছৰ। তেওঁলোকৰ মাতৃ জগৎপ্রসিদ্ধা মমতাজ মহল পৰলোক প্রাপ্ত হল। গৃহকর্ত্রীৰ গুৰুভাৰ আৰু সম্ভ্রম জেহানেৱাৰ ওপৰত পৰিল। তেওঁ আগতকেও বেছি অহঙ্কাৰী আৰু গৌৰবান্বিত হৈ উঠিল। সংসাৰ সংগ্রামৰ দায়ীত্বই তেওঁৰ আমোদ প্রমোদ লাহে লাহে কমাই আনি তেওঁক চিন্তাশীল হবলৈ আৰু তীক্ষ্ণদৃষ্টিবে মনুষ্যস্বভাব পঢ়িবলৈ শিকা দিলে। লগে লগে বৌচুনেৱাৰো বহুত পৰিবর্ত্তন ঘটিল। তেওঁৰ প্রতিশোধৰ সংকল্প আগতকৈয়ো দৃঢ়তৰ হৈ উঠিল। এই সময়তে তেওঁৰ ককাইদেৰেক মুৰাদ আৰু আউৰঙ্গজেবে অন্তঃপুৰত তেওঁলোকৰ পক্ষ সমর্থনকাৰী কাকো বিচাৰি নেপাই নিৰাশ হৈ পৰিছিল। বৌচুনেৱাই ভেগাই ছয়োজনকে সামৰি নিজৰ হাতত মুঠিত ললে। ওপচৰণ কামেই বৌচুনেৱা আৰু তেওঁৰ দাসী কেইজনীৰ ঘাই কাম হৈ পৰিল। সম্রাট চাজাহানৰ বাজত্ব বিপর্য্যস্ত কৰিবলৈ এওঁলোক তিনিওয়ে ষড়যন্ত্র পাতি বহুত আগুৱাবলৈ ধৰিলে।

এই ষড়যন্ত্র জেহানেৱাৰ ওচৰত একেবাৰেই অজ্ঞাত নাছিল। এদিন সন্ধ্যাৰ পিছত বিছনাত পৰি জেহানেৱাই ভবিষ্যত সাম্রাজ্ঞিক গৃহকন্দলৰ বিষয়ে নীৰবে চিন্তা কৰি

অধীৰ আৰু শোকাকুল হৈ পৰিছিল। এনেতে তেওঁৰ প্রধান দাসীয়ে ভিতৰলৈ সোমাই আহি তেওঁক চিন্তামগ্ন অৱস্থাত দেখা পাই থন্তেক তাতে বৈ কোনো মাতবোল নেপাই চৰাৱ বন্ধ কৰি ওলাই আছিল। ইয়াৰ কিছু সময়ৰ পিছে জেহানেৱাই দেখিলে তেওঁৰ পালেঙৰ তলৰ পৰা এটা মানুহৰ মুৰ ক্রমান্বয়ে ওলাই আছিছে। ভয়ত আঁচবিত হৈ তেওঁ পালেঙৰ পৰা জাপ মাৰি মজিয়াত থিয় হল। ইতিমধ্যে এজন ডেকা তেওঁৰ ভবিত পৰি তেওঁ চিঞৰি গোলযোগ নকৰিবৰ নিমিত্তে ইঙ্গিত কৰিলে। ডেকাজনক চিনি পাই তেওঁ কিবা থকা অৱস্থাৰ পৰা লাহে লাহে আস্বস্ত হৈ ধীৰ অৱস্থালৈ আহিল।

জেহানেৱাই সুধিলে—"কাচিম"!

কাচিমে উত্তৰ দিলে—"হয়, তোমাৰ ভৃত্য কাচিম"।

জেহানেৱা—"মূর্খ যুৱক, কি সাহেৰে তুমি ইয়ালৈ আহিলা? তুমি নেজানানে যে তোমাৰ জীৱন আৰু ডিঙি সঙ্কটাপন্ন কৰি তুমি এই ঠাইলৈ আহিছা"।

কাচিমে মৃদুস্বৰে কলে—"বাজকুমাৰী, তোমাৰ সৌন্দর্য্য আৰু মোৰ ভালপোৱাৰ প্রবল আকাঙ্ক্ষাই মোক তোমাৰ ওচৰলৈ টানি আনিছে। যি বস্তুৰে মোক ইয়ালৈ টানি আনিছে তাৰ বাবে মোৰ এশ ডিঙি থকা হলেও আগবঢ়াই দিবলৈ সাজু আছোঁ।"

বাজপৰিয়ালৰ লগত বিশেষ খাতিৰ থকা অতি সম্ভ্রান্ত বিষয়াসকলৰ ভিতৰবে কাচিমো এজন। তেওঁৰ পিতাক নিজৰ বাহুবলৰ ওপৰত নির্ভৰ কৰি আমিৰ পদবি লাভ কৰিছিল আৰু আমিৰ সকলৰ ভিতৰত তেওঁ অতি বিশ্বাসী আছিল। শিশু অৱস্থাৰ পৰাই কাচিম অন্তঃপুৰতেই বেছি ভাগ থাকি ডাঙৰ দীঘল হৈছিল। কাচিম দেখিবলৈ এনে দুনীয়া যে শিশু অৱস্থাত বেগমসকলে তেওঁক কোলাত লবলৈ অবিয়াওঁবি কৰিছিল। বাজকুমাৰীসকল কাচিমৰ পৰম বন্ধু আছিল। আটাইবে ভিতৰত জেহানেৱাৰ প্রতি কাচিমৰ আসক্তি বেছি আছিল—জেহানেৱাক যে তেওঁ ভাল পাইছিল সেই বুলি নহয়। যেন ধেমালিবিলাকত জেহানেৱাক বিব্রত কৰি কাচিমে আমোদ পাইছিল আৰু উভয়ে সাহিত্য আৰু কবিতা লিখাত পৰস্পৰৰ প্রতিদ্বন্দ্বী আছিল।

যৌৱন প্রাপ্তিৰ লগে লগে যদিও জেহানেৱা অন্তঃপুৰৰ চাবিবেৰৰ ভিতৰত থাকিব লগীয়া হৈছিল কাচিম একেবাৰেই কোনো অপৰিচিত যুৱকৰ দৰে জেহানেৱাৰ শোৱা কোঠাত উপস্থিত হোৱা নাছিল। জেহানেৱাৰ লগত দেখা সাক্ষাত বন্ধ হোৱাৰ পিছত পৰা কাচিমো বয়সৰ লগে লগে দোপত দোগে বাঢ়ি অকল যে দুনীয়া ডেকা হৈ উঠিছিল এনে নহয়। তেও এজন সুদক্ষ বাজকর্ম্মচাৰী হৈ সকলোৰে প্রিয়পাত্র হৈছিল। কবিতা লেখিকা হিচাবে জেহানেৱাই মহিলাসকলৰ ভিতৰত ওখ ঠাই পাইছিল। তেওঁ যদিও পর্দাৰ আঁৰত ঠাই ললে তথাপি তেওঁৰ কবিতা দশোদিশে বহুদূৰলৈকে গৈছিল। কাচিমৰ বয়স বাঢ়ি যোৱাৰ লগে লগে জেহানেৱাই লিখা কবিতাৰ মাধুর্য্যও তেওঁৰ মনত বাঢ়িবলৈ ধৰিলে। কবিতাৰ মৰ্ম্মজ্ঞাৰ বুদ্ধিৰ লগে লগে কণ্ঠৰতী গায়ক জেহানেৱাই যুৱক বীৰ কাচিমৰ অন্তৰত লাহে লাহে শিণাবলৈ ধৰিলে। অকল বীৰোচিত কার্য্যবঘাবাই যে কাচিমে বাজসভাত নাম কৰিছিল এনে নহয়—তেওঁ কবি হিচাবেও ভাল প্রশংসা পাইছিল। যৌৱন লগে লগে মেতিয়া জেহানেৱাৰ অন্তৰত ভালপোৱাৰ অঙ্কুৰ গজি উঠিল তেতিয়া তেওঁ বহুত প্রণয় কবিতা লেখিবলৈ ধৰিলে। জেহানেৱাই যেতিয়া হৃদয় তন্ত্রীৰ প্রথম স্পন্দন অনুভৱ কৰিছিল তাৰ মর্ম্ম প্রথম অৱস্থাত তেওঁ ভালকৈ বুজিব নোৱাৰিছিল। তেওঁৰ হিয়া লক্ষ্যহীন ভাবে প্রীতি ভৰা অন্তৰ বিচাৰি জিৰণি লবলৈ উটি ফুৰিছিল। জেহানেৱাৰ প্রণয় কবিতা পঢ়ি কাচিমে জেহানেৱাৰ অন্তৰত তেওঁৰ প্রতি প্রণয় ভাব উদ্ভেজিত কৰিবৰ অভিপ্রায়ে কবিতাৰ দ্বাৰাই প্রত্যুত্তৰ দিবলৈ স্থিৰ কৰিলে। সৌন্দর্য্য আৰু প্রেম যে উপভোগ্য আৰু ইয়াক যথাকালত উপভোগ নকৰিলে ক্ষয় হবলৈ দিয়া যে প্রকৃতিৰ উদ্দেশ্য নহয় আৰু প্রেমিকৰ চকুৰ ভিতৰেদিহে যে প্রেমিকাৰ সৌন্দর্য্য সম্পূর্ণ হৈ ফুটি উঠে এই বিষয়ে এটি কবিতা লেখি তেওঁ উত্তৰ দিলে। এই কবিতাৰ একোখনকৈ বিষয়াসকলক

বিনাই দিয়াৰ লগে লগে উপহাৰ স্বৰূপে তেও জেহানেৱা-লৈকো এখন পঠালে।

জেহানেৱাই কাচিমৰ কবিতা পঢ়িলে আৰু তাৰ পৰা কিছুমান ভাব গ্ৰহণ কৰি তেওঁ পিছে লিখা কিছুমান কবিতাত অপ্ৰত্যক্ষভাবে সেই ভাব বিলাকৰ উল্লেখ কৰিলে। এইদৰে কাচিমক জেহানেৱাৰ প্ৰতি বেছিকৈ উত্তেজিত কৰি তুলিলে আৰু কাচিমেও ভাবি লৈছিল জেহানেৱাই তেওঁক অন্তৰৰে ভাল পায় বুলিহে তেওঁৰ কবিতা গুণগ্ৰাহী হৈছে। ইয়াৰ পিছে এদিন জেহানেৱাই নিমন্ত্ৰণ ৰক্ষা কৰিবৰ বাবে কাচিমৰ খুড়াকৰ ঘৰলৈ গোৱাত কাচিমে পূৰ্ণযৌৱনা গাভৰুৰ সুকোমল অঙ্গপ্ৰত্যঙ্গৰ সৌন্দৰ্যৰাশি দেখি মোহিত হৈ প্ৰায় অজ্ঞান হৈ পৰে। সেই দিনাৰ পৰাই জেহানেৱাক লগ পাবলৈ তেওঁৰ ইচ্ছা দুৰ্দ্দমনীয় হৈ উঠিল। সম্ৰাটৰ অন্তঃপুৰত নপুংসকৰ বাহিৰে অন্য কোনো মতা মানুহক ভৃত্যস্বৰূপে ৰখাৰ নিয়ম নাছিল। ৰাজপৰিয়ালৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা বাবে নপুংসকৰ সহায় বিচাৰি পোৱা কাচিমৰ পক্ষে বৰ উজু হৈছিল। অন্তঃপুৰৰ প্ৰণয় সম্বন্ধীয় চক্ৰান্তৰ এই নপুংসকবিলাকেই প্ৰধান যন্ত্ৰ। এই যন্ত্ৰিবৰ যোগেদিয়েই সেই দিনা আন্ধাৰ হোৱাৰ পিছত কাচিম নিৰাপদে জেহানেৱাৰ পালেগুৰ তলত ঠাই ললেহি। দাসীয়ে সেই দুৱাৰ বন্ধকৰি ওলাই গল যেয়ে পালেগুৰ তলৰ পৰা ওলাই আহিবলৈ কাচিমৰ প্ৰতি ইঙ্গিত।

কাচিমৰ এশ ডিঙ্গি থকা হলেও ৰাজকুঁৱৰীৰ বাবে আগবঢ়াই দিবলৈ সাজু আছে বুলি কোৱাৰ পিছত জেহানেৱাই তেওঁক আৰু কোনো প্ৰণয়-বাক্য মুখত আনিবলৈ নিদিলে। ৰাজকুঁৱৰীৰ মনোভাব কাচিমৰ ওচৰত দুৰ্ব্বোধ্য হৈ পৰিল।

জেহানেৱাই কলে—"থান চাহেৱ তুমি এতিয়াও মোক প্ৰচলিত ৰীতিঅনুযায়ী সম্মান দিয়া নাই"। কাচিমে প্ৰথমতে এইটো বসিকতাৰ কথা বুলিয়েই ধৰি লৈ পৰিহাস পূৰ্ব্বক ৰাজকুঁৱৰীৰ ওচৰত মুৰ দোৱালে কিন্তু ৰীত্যনুযায়ী সম্মান দেখুউৱা নহল। ঠাট্টাপূৰ্ব্বক সম্মান দিয়া দেখি ৰাজকুঁৱৰীৰ থং আৰু বেছি হল।

জেহানেৱাই কলে—"থানচাহেব, এই অসম্মানৰ বাবে তুমি অনুতাপ কৰিব লাগিব। মই আকৌ কৈছোঁ অন্তঃপুৰত প্ৰবেশ কৰা অপৰাধৰ বাবে শাস্তি বিধান কৰাৰ পূৰ্ব্বে তুমি মোক ৰীত্যনুযায়ী সম্মান দেখাবই লাগিব।"

জেহানেৱাৰ প্ৰস্তাবৰ গুৰুত্ব কাচিমৰ এতিয়া বুজিবলৈ বাকী নাথাকিল। মুহূৰ্ত্তৰ ভিতৰতে তেওঁ আঁঠু লৈ মুৰ দোৱাঁই ৰাজকুঁৱৰীক প্ৰাপ্য সম্মান দি স্পন্দনহীন শিলৰ মূৰ্ত্তিৰ দৰে আচবিত হৈ থিয় দি ৰল।

জেহানেৱাই সুধিলে—"কাৰ সহায়ত তুমি মোৰ কোঠালৈ আহিলা কোৱা।"

এতিয়া কাচিমৰ পৰীক্ষাৰ সময় আহিল। তেওঁ নিজকে আশ্বস্ত কৰি লৈ জেহানেৱাৰ চকুলৈ চাই সাহেৰে কলে "ৰাজকুঁৱৰী, অন্তঃপুৰলৈ প্ৰবেশ কৰা অপৰাধৰ বাবে মই ৰাজদ্ৰোহী। বুকুত হাত দি কৈছো মই কোনো কুঅভিপ্ৰায়ৰ বশবৰ্ত্তী হৈ তোমাৰ ওচৰলৈ অহা নাই। তোমাৰ মূৰ্ত্তি মোৰ হিয়াত অহৰহ বিৰাজ কৰিছে। তোমাক কিমান ভালপাওঁ—তাৰ প্ৰেৰণাই মোক তোমাৰ ওচৰলৈ টানি আনিছে। ৰাজদ্ৰোহৰ বাবে সমুচিত শাস্তি বিধান কৰিব পাৰা কিন্তু মোৰ শৰীৰত জীৱ থাকে মানে কাৰ সহায়ত মই ইয়ালৈ প্ৰবেশ কৰিলো এই কথা মোৰপৰা কেতিয়াও নেপাবা।"

অকলটভাষী সুবক কাচিমৰ এই স্বাধীন কথাত এনে কিবা এটা আছিল যিটোৱে ৰাজকুঁৱৰীৰ মনত নিৰ্ভৰতাৰ পৰিবৰ্ত্তে তেওঁৰ প্ৰতি এটা শ্ৰদ্ধাৰ ভাব আনিলে। এতিয়া শাস্তিবিধান কৰাৰ ভাব ৰাজকুঁৱৰীৰ মনবপৰা আঁতৰ হৈ গল।

জেহানেৱাই কলে—"থান চাহেব, তুমি বৰ সাহসী যেন বোধ হৈছে আৰু তোমাৰ বিশ্বস্ত গুপ্তচৰৰ প্ৰতি বিশ্বাসঘাতকতা নকৰি সম্মাননযোগ্য কাম কৰিছা কিন্তু অন্তঃপুৰত প্ৰবেশ কৰাটো ভ্ৰষ্টচৰিত্ৰতাৰ শেষ সীমা বুলি তোমাৰ সম্মান ৰীতিয়ে তোমাক শিক্ষা দিয়া উচিত আছিল।"

কাচিম—"ৰাজকুঁৱৰী, তোমাৰ তিৰস্কাৰৰ ছায়ণবতা

স্বীকাৰ কৰিছো, মই দোষী কিন্তু বিশ্বাস কৰিবা মোৰ অন্তৰ পৰিত্ৰ আৰু শুদ্ধ। প্ৰেমান্ধ হৈছে মই ইয়াকৈ আহিছোঁ। মোৰ অন্তৰত কোনো অসদভিপ্ৰায় নাই।"

জেহানেৱা—"থান চাহেব, তোমাৰ ক্ষমা গ্ৰহণ কৰিলো। এই দুৰ্গপৰা তুমি এতিয়াই বাহিৰ হৈ যোৱা।"

কাচিম—"ৰাজকুঁৱৰী, মই যোৱাৰ পূৰ্ব্বে দুআষাৰ কথা কবলৈ অনুমতি দিয়া। যাৰ ওপবত আজি এনে নিষ্ঠুৰ ব্যৱহাৰ কৰিলা তেওঁ তোমাৰ বাল্যাবস্থাৰ ঘনিষ্ঠ বন্ধু বুলি মনত নপৰেনে? তোমাৰ স্বৰ্গীয়া মাতৃ মমতাক মহাৰ মৰম আৰু যত্নত আমি উভয়ে প্ৰতিপালিত হোৱা নাছিলোনে? অলপতে তুমি যে মোৰ প্ৰণয় কবিতাৰ গুণগ্ৰাহী হৈছিলা তাকো পাহৰিলা নে?"

কাচিমৰ মুখবপৰা প্ৰণয় কবিতাৰ কথা শুনি জেহানেৱা খঙত বঙা হৈ পৰিল আৰু কবলৈ দিলে "থান চাহেব, এতিয়াহে বুজিছো মি জনে সেই কবিতা লেখিছিল মোৰ বোধে তেওঁতকৈ আৰু মূৰ্খ নাই।" এই বুলি কৈ জেহানেৱাই মাৰবোল পাথৰৰ আলমাৰি মুকলি কৰি সেই কবিতা উলিয়াই আনি ভৰিবে গুচকি কাচিমৰ মুখলৈ দলিয়াই দিলে আৰু কলে "থান চাহেব ভৰিয়াতে কোনো ৰাজকুঁৱৰীৰ লগত প্ৰণয় কৰিবলৈ নিবিচাৰিবা।"

অপমান আৰু খণ্ডত কাচিমৰ মুখ কলা পৰি গল। ৰাজকুঁৱৰীৰ হাতত য অসহনীয় অপমান পালে তাতোকৈ মৃত্যুহে তেওঁৰ পক্ষে শ্ৰেয়ঃ প্ৰকৃততে তেওঁ নিজেইহে যে দোষী এই কথাই তেওঁক শাস্তনা দিব নোৱাৰিলে। ওঠ কামুৰি কোঠাৰ পৰা সৰ্ব্বে বাহিৰ ওলাই তেওঁ দুৱাৰ মুখত থকা জেনানা প্ৰহৰীৰ হাতত পৰিল। ৰাজকুঁৱৰীয়ে তেওঁক ভালপায় বুলি ভাবি লৈ দুৰ্গপৰা ওলাই গোটাত বিপদৰ আশঙ্কা নকৰি তেওঁ বিবেচনা শূন্য হৈ কেবল সোমাবলৈহে নপুংসকৰ লগত চুক্তি কৰিছিল। গোপনে দুৰ্গৰ ভিতৰত প্ৰবেশ কৰা অপৰাধত অভিযুক্ত কৰি প্ৰহৰীয়ে তেওঁক বন্ধ কৰিলে। এই সময়তেই জেহানেৱাৰ প্ৰধান দাসী তাত উপস্থিত হৈ প্ৰহৰীক অলপ সময় অপেক্ষা কৰিবলৈ চকুৰে ইঙ্গিত কৰি হুকুম নিমিত্তে ৰাজকুঁৱৰীৰ ওচৰলৈ আহিল।

দাসী—"হুজুৰ বেগম চাহেবা, এতিয়াই আপোনাৰ মহলপৰা এজন পুৰুষ ওলাই গৈছে। প্ৰহৰীয়ে গ্ৰেপ্তাৰ কৰি আপোনাৰ হুকুমৰ নিমিত্তে অপেক্ষা কৰি আছে।"

জেহানেৱা—"কি তেওঁক গ্ৰেপ্তাৰ কৰিলে? মোৰ ওপবত সন্দেহ কৰিবলৈকো প্ৰহৰীয়ে সাহ কৰিবেন?"

দাসী—"ক্ষমা কৰিব; বেগম চাহেবা, দাসী বিশ্বা প্ৰহৰীয়ে এনে ধাৰণা কৰিবলৈ নিশ্চয় সাহ নাই কিন্তু তেওঁক গ্ৰেপ্তাৰ কৰিছে।"

কাচিমক গ্ৰেপ্তাৰ কৰি যে তেওঁৰ ওপবত এটা সন্দেহৰ ছাঁ পেলাইছে এই বিষয়ে তেওঁ চিন্তাহিত হল আৰু তেওঁক মুক্ত কৰি দিবলৈ খঙৰে হুকুম দিলে। দাসীয়ে কলে "দুৰ্গৰ প্ৰচলিত নিয়ম অনুসাৰে আপোনাৰ চৰী আৰু মোহৰেৰে হুকুম পত্ৰ পালেহে তেওঁ মুক্তি পাব পাৰিব।" জেহানেৱাই বিৰক্ত হৈ এখন কাগজ আনি "ৰাজকাৰ্য্যৰ বাবে কাচিমক এটাইলিকাক গেইটত বাট এৰি দিব" এই কথা লেখি চৰী কৰি মোহৰ মাৰি দাসীৰ হাতত দিলে। দাসীয়ে সেই নিদৰ্শন পত্ৰ লৈ কাচিমক নিৰাপদে দুৰ্গ পাৰ কৰি দিলে। এইজনীয়েই জেহানেৱাৰ বিশ্বস্ত দাসী। তাই ঘুৰি আহি ৰাতিৰ ভিতৰতে দাসীৰ মহলত সকলোকে গোপনে ৰাখিবলৈ প্ৰতিজ্ঞা কৰাই জেহানেৱা যে প্ৰণয় বান্ধোনত পৰিছে সেই কথা ততালিকে প্ৰচাৰ কৰিলে।

(৩)

দাসীৰ মহলত এই সময়ত বৌচুনেৱাৰ বিশ্বস্ত দাসী জেলুগাও উপস্থিত আছিল। বৌচুনেৱাই ইমানদিনে যিহকে বিচাৰি হাবাথুৰি খাইছিল জেলুকাই সেইটো আজি অপ্ৰয়াসে পাই সেই মুহূৰ্ত্ততে বৌচুনেৱাৰ ওচৰলৈ গৈ যেনে শুনিছিল তেনেকৈয়ে বৰ্ণনা কৰিলে। বৌচুনেৱা বয়সত সকহলেও এতিয়ালৈকে আধাদজন প্ৰণয় চক্ৰান্তত সোমাইছে বুলি অন্তঃপুৰৰ সকলোবে ওচৰত জনাজাত। মহিলা সমাজত যদি কোনো বিষয়ত জেহানেৱাই অহঙ্কাৰ কৰিব পাৰিছিল সেয়ে তেওঁৰ চৰিত্ৰৰ নিৰ্ম্মলতা—পবিত্ৰতা।

তেওঁৰ প্ৰতিদ্বন্দ্বী বৌচুনেবা আৰু তেওঁৰ দাসীবিলাকৰ মনত এই অহঙ্কাৰ একেবাৰেই অসহনীয় হৈ উঠিছিল। প্ৰত্যেক ঘণ্টাই এই মিছা অপযশ নানা বঙে বঞ্জিত হৈ তিৰোতাৰ মহলত বিয়পি গৰিল।

যি সময়ত জেলুকাই এই খবৰ দিবলৈ বৌচুনেবাৰ কোঠাত সোমাইছিল তেতিয়া ৰাজকুঁৱৰীয়ে পিতাকৰ ৰাজত্ব বিপর্য্যস্ত কৰিবলৈ গভীৰ চক্ৰান্ত চিন্তাত মগ্ন আছিল। তেওঁৰ সক ভাইক মুবাদক পিতাকৰ ঠাইত সিংহাসনত বহুৱাই জেহানেবাৰ গৰ্ব্ব খৰ্ব্ব কৰিবলৈ ষড়যন্ত্ৰ চলিছে। অঙ্ক বিদ্যাত তেওঁৰ কিছু জ্ঞান আছিল। এই সময়ত তেওঁ জ্যোতিষ গণনাত ডুব গৈ থকা যেন বোধ হৈছিল। জেলুকাৰ মুখে এই খবৰ পাই তেওঁ গণনা কাতি কৰি থলে। এই ঘটনাৰ দ্বাৰাই জেহানেবাৰ সোণালী কপাল ভাঙ্গিব পাৰিব বুলি তেওঁৰ আনন্দৰ পাৰ নোহোৱা হল।

বৌচুন—"দাসী, কাচিমক দিয়া নিদৰ্শন পত্ৰ কাৰ হাতত আছে।"

জেলুকা—"গেইট জামাদাৰৰ হাতত।"

বৌচুন—"জেহানেবাৰ চহী মোহৰ আছে নে?"

জেলুকা—"আগবপবা শেহতৈ তেওঁ নিজ হাতে লিখা?"

বৌচুন—"চেষ্টা কৰি এতিয়াই তাৰ নকল এটা আনি দিয়া।"

বৌচুনেবাৰ কথামতে জেলুকা তেতিয়াই বেগেৰে বাহিৰ ওলাই গল। জেহানেবাৰ ভাগ্যলক্ষীৰ এইটো ডাঙৰ ছিদ্ৰ পাই বৌচুনেবাই লাহে আহ্লাদ সংযত কৰি এতিয়া কেনেকৈ কাৰ্য্য প্ৰণালীত আগুৱাব লাগিব সেই বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। এই সময়তে এজন যুবক তেওঁৰ কোঠাটৈ সোমাই আহিল।

বৌচুনেবাই মুব দাঙ্গি চাই সুধিলে—"মুবাদ তুমি কব পবা আহিলা।"

মুবাদ—এই মাত্ৰ মই ৰাজপুতনাব পবা আহিলোঁ। বুঢ়াই (সম্ৰাটে) আকৌ কালিলৈ অন্য দেশলৈ যাবলৈ হুকুম কৰিছে। কোনো ঠাইত স্থিতি নোলোৱাকৈ এই ঠাইৰ পবা সেই ঠাই আৰু এই দেশৰ পবা সেই দেশ ঘুবি ফুবাটো পন্তুৰ হে কাম। মই কিমান দুখ পাইছো বুঢ়াব বুজিবৰ শক্তি নাই। মই সম্ৰাট হব পাৰিলে বুঢ়াকো এই দবে ঘুবাই লৈ ফুবাম। মোৰ বৰ পিয়াহ লাগিছে তুমি দাসীক কৈ উৎকৃষ্ট সুবা এক গিলাছ অনাই মোক খুৱাই লৈ পিছে কথা হোৱা।

বৌচুন—ইয়াব পূৰ্ব্বেই তুমি সুবা পান কৰি অস্থিৰ ভাবে ভবিব খোজ পেলাইছা। এতিয়াই তোমাক আক থাবলৈ দিব নোৱাৰিম। এটা অতি গোপনীয় কথা এতিয়াই তোমাব লগত পবামর্শ কবিম। সেই পবামর্শ শেহ নোহোৱালৈকে তুমি সুবা পান কবিব নোৱাবিবা।

মুবাদ—নহয় মোক এতিয়াই দিয়া, তাকে খালেই মই এন্দুবব দবে শান্ত হৈ তোমাব কথা শুনি থাকিম।

বৌচুন—কেতিয়াও নিদিওঁ, শুনা, জেহানেবা শীঘ্ৰেই জহন্নামে যাব"।

মুবাদে হোঁহোঁ কবে হাঁহি কলে—"সঁচা নে, নাহবা ধেমালেহি কবিছা, কোৱা শীঘ্ৰে কোৱা।"

বৌচুনেবাই জেলুকাৰ পবা যেনেকৈ শুনিছিল সমস্তই মুবাদক বর্ণনা কবি কলে "সম্ৰাটে নিদৰ্শন পত্ৰ খন পালে জেহানেবাক জীয়াতে কাটিব। সেইটো ভাব মই লৈছো এতিয়া তোমাব কার্য্যত কিমান আগ বাঢ়িছা সেইটো কোৱা।"

মুবাদ—জানিব লগীয়া বিশেষ খবৰ এতিয়া একো নাই। আওবঙ্গজিবে সৈন্যবল বৃদ্ধি কবিছে। মক্কা তাকেই কবাব চেষ্টাত আছে। অনুমান দুই বছৰ পূৰ্ব্বে কৃতকার্য্য হোৱা টান হৈছে।

বৌচুনেবা—মূর্খ, ইমানদিনলৈ বাট চালে নহব। ইতিমধ্যে দাবাই সিংহাসনত বহি তোমাক ডিঙ্গিত গছকি বধ কবিব। বুঢ়া এতিয়া অতি দুর্ব্বল। সকলো ৰাজকার্য্য দাবা আৰু জেহানেবাই চলাইছে। দুজাই বঙ্গদেশত থাকি সৈন্যবল বৃদ্ধি কবি ক্ষমতাপন্ন হৈ উঠিছে। এই বছৰব ভিতৰতেই কাম শেষ কবিব লাগিব।

মুবাদ—মই এটাইবিলাক জানো কিন্তু মোৰ বল বঢ়াবলৈ ভাল উপায় কবিব পবা নাই। অলপতে মই

আওবঙ্গজিবব লগত সাক্ষাত কবি সমস্ত তোমাক জনাম।

ঠিক এই সময়তে জেহানেবাই দিয়া পবওনাব নকল এটা লৈ জেলুকা উপস্থিত হলহি। এই খন পাই ভাইজনী দুইবো হাহিব ওব নপবা হল। ইয়াব পিছত উভয়ে গম্ভীব আলোচনাত বহিল। সুবাব অভাবত মুবাদে পবামর্শত আত্তকাণ কবিবলৈ ধবাত বৌচুনে এক বটল সুবা মেজব ওপবত বাখি ভাবেকে তাতে শুই থাকিবলৈ কৈ ওলাই গল।

(৪)

এতিয়া বহুত বাতি হৈছে। জগৎ নিস্তব্ধ। সম্ৰাটে চিন্তাকুল অন্তস্থাত টোপনি নহাত চটফটাই থিবিকীব ভিতবেদি ক্ষণালী গোহবত আধা তৈয়াবি তাজমহলব জেউতি অনিমেষ দৃষ্টিবে চাই আছে। এনে সময়ত বৌচুনেবা সম্ৰাটব আগত উপস্থিত হলহি। সম্ৰাটে দেখি কলে "মাজ নিশা অসময়ত কি কথাই তোমাক ইয়ালৈ আনিলে"?

বৌচুনেবা—"মাতৃ বিয়োগ হোৱাব পিছব পবা আপোনাব শুশ্ৰূষা কবিবলৈ সুবিধা কবিব পবা নাই। এতিয়া অলপ শুশ্ৰূষা কবিম বুলিয়েই আহিলোঁ"।

সম্ৰাটে তীক্ষ্ণ দৃষ্টিবে বৌচুনলৈ চালে। এওঁব চৰিত্ৰ তেওঁ সদায় সন্দেহ কবি আছিছে। কোনো গুপ্ত অভিপ্ৰায় নেহোৱাকৈ ইমান বাতি তেওঁক শুশ্ৰূষা কবিবলৈ অহাটো সম্ৰাটে বিশ্বাস কবিব পবা নাই।

বৌচুন—আপোনাব শবীব আজি ভাল নহয় যেন পাওঁ।

সম্ৰাট—"তেনেকুবাই বৌচুন। দংশহলব খবৰ সকলো ভাল নে? মাবাব মৃত্যুব পিছব পবাই মই পাবিবাবিক কথালৈ চকু দিব পবা নাই।" এই কথা কৈ সম্ৰাটে আকৌ জীয়েকব চকুলৈ চকু দিলে।

বৌচুন—"সেই সম্পর্কে আপোনাক কি কম ভাবিছেই ওব নেপাওঁ; মঙ্গলময়ী মাতৃ বিয়োগ হোৱাব পবাই আমি নিজকেই নিজে চাব লগীয়া হৈছো। কওঁ যদি নিজেই বিগথে যায় বাকী বিলাক ভালে থাকিব পাবে নে?"

সম্ৰাট—"জেহানেবা বিগথে গৈছে বুলি কোৱা নে?"

বৌচুন—"নিজব বাইদেউৰ বিৰুদ্ধে কোৱাটো দুখব কথা কিন্তু আপোনাব জীয়াবী মোব বাইদেউৰে যদি প্ৰাণঘ্ন চক্ৰান্তত ফুৰে সি অতি শোক লগা কথা। তেওঁব কুচৰিত্ৰ এতিয়া বংশহলব সকলো তিৰোতা আৰু প্ৰহৰীৰ ওচবত জনাজাত। আপোনাব ওচবলৈ আহি থাকোতেই গেইটত বৰ কোলাহল শুনিলো। এজন মানুহ বাইদেউৰ মহলব পবা ওলাই ঘোৰাত প্ৰহৰীয়ে গ্ৰেপ্তাৰ কৰিছে বুলি শুনিলো। বাইদেৰে পবওনা দিয়াত হে বোলে প্ৰহৰীয়ে এবি দিছে।"

সম্ৰাট—"তোমাক কোনে কলেহি?"

বৌচুন—"মোৰ দাসীয়ে কলেহি। মই তাইক এই কথা মিছা বুলি তিৰস্কাৰ কবাত তাই কথা সঁচা বুলি মোক পবওনাব নকল এটাও দেখুৱালে"। এই বুলি কৈ বৌচুনে নকলটো সম্ৰাটক দিলে।

নিদর্শন পত্ৰখন পঢ়ি সম্ৰাটব মুখ বঙা পবি গল। "আজি মোৰ মন অস্থিৰ" বুলি কৈ তেতিয়াই বৌচুনক বিদায় দিলে। বিচক্ষণ সম্ৰাটে বাতিব ভিতবতে এই ঘটনাৰ সত্যতা অনুসন্ধান কৰিলে। কাচিম জেহানেবাই কোঠাত সোমাই অনেক সময় থকাব ভাল প্ৰমাণ পালে। ৰাজকার্য্যব বাবে যে কাচিম অন্তঃপুৰলৈ আহিছিল সেই কথা জেহানেবাব নিদর্শন পত্ৰতেই লিখা আছে। পিছ দিনা বাতিপুৱা বৌচুনৰ কুচক্ৰী দাসীয়ে জেহানেবাই ভবিবে মোহাবি পেলোৱা কবিতাও আনি সম্ৰাটক দিলেহি।

এই ঘটনা আবিষ্কাৰ হোৱাত সম্ৰাটে অন্তবত মর্ম্মান্তিক ব্যথা পালে। তেওঁ নিজেও ডেকা কালৰ পবাই যথাসম্ভব সংযম নীতি বক্ষা কবি চলিছিল। এই বিষয়ে তেওঁব চবিত্ৰ অতি ওখ। এতিয়া এই ঘটনাই তেওঁব মনত বৰকৈয়ে বেজাব দিলে। তেওঁব শাবীবিক অৱস্থা এতিয়া তেনেই দুর্ব্বল। শোকত অভিভূত হোৱাৰ ইয়ো এটা কাবণ। সম্ৰাটে যেনেকৈ জেহানেবাক হিয়া উবুবিয়াই চেনেহ কবিছিল পিতৃভক্তা জেহানেবাইও সেই দৰেই সম্ৰাটক মবম আৰু শুশ্ৰূষা কবিছিল। অন্তব প্ৰতি জেহানেবা

অহঙ্কাৰী নিষ্ঠুৰ আৰু চিন্তাশূন্য হলেও সম্ৰাটৰ প্ৰতি তেওঁ বৰ মৰমীয়াল আৰু কৰ্ত্তব্যপৰায়না আছিল। জেহানেৰাৰ তীক্ষ্ণ বুদ্ধি প্ৰশংসা কৰি সম্ৰাটে অনেক সময়ত দাৰাৰ পৰামৰ্শ নলৈ জেহানেৰাৰ পৰামৰ্শ মতেই ৰাজকাৰ্য্যও চলাইছিল। লৰাইত বিশ্বাসযোগ্য নহয় বুলি কাকো ভাল নেপাইছিল। ৰৌচুন এটাইবিলাক ষড়যন্ত্ৰৰ জীৱাত্মা বুলি ভালকৈ জানি সম্ৰাটে তেওঁক সদায় সন্দেহ চকুৰে চাইছিল। এই বিলাক কাৰণতেই জেহানেৰা সম্ৰাটৰ অতি আদৰৰ পুতলা হৈ উঠিছিল আৰু জীৱনৰ অৱশিষ্ট দিন কেইটা জেহানেৰাৰ মৰমৰ ওপৰত নিৰ্ভৰ কৰিয়েই কটাবৰ বাঞ্ছা কৰিছিল। মমতাজ বেগমৰ মৃত্যুৰ পিছৰ পৰা সম্ৰাটৰ অন্তৰ জেহেনেৰাই একচেতীয়া কৰি অধিকাৰ কৰিছিল পিতৃৰ ঐকান্তিক মৰমৰ বাহিৰেও জেহানেৰাই আৰু কিবা আকাঙ্খা কৰিব পাৰে বুলি স্বাৰ্থান্ধ সম্ৰাটে কল্পনা কৰিব নোৱাৰিছিল। কাচিমৰ লগত জেহানেৰাৰ কথিত প্ৰণয়ৰ কথা জানিব পাৰি সম্ৰাটে নিজকে ত্যাজ্য আৰু নিঃসহায় বুলি ভাবি ললে।

কিন্তু চাজাহান যে সম্ৰাট আৰু ৰাজোচিত স্বভাব তেওঁৰ আছিল। জেহানেৰাৰ অবজ্ঞা শুই থাকি কান্ধপাতি লবলৈ মনক তেও প্ৰবোধ দিব নোৱাৰিলে। জেহানেৰাৰ ওপৰত ৰাজোচিত প্ৰতিশোধ লবলৈ তেওঁ স্থিৰ কৰিলে। ফাঁচিৰ জৰীৰে নহয়—সেই দৰে কাচিমক বধ কৰিলে গুপ্ত প্ৰণয় প্ৰকাশ হোৱাৰ ভয়। বিহদ্বাৰা কাচিমক বধ কৰি জেহানেৰাক জানিবলৈ দিয়াই অতি ভাল বুলি ঠিক কৰিলে।

(৫)

দিল্লীৰ সিংহাসনৰ ভাবী উত্তৰাধিকাৰী দাৰা প্ৰকৃতই ৰাজোচিত ঠাচৰ ৰাজকোঁৱৰ আছিল। তেওঁ যে এজন মহানুভৱ শাসনকৰ্ত্তা হল হেঁতেন সেইটো তেওঁৰ অকৃত্ৰিম উদাৰতা আৰু প্ৰশস্ত দৃষ্টিৰ পৰা ভালকৈয়ে বুজা গৈছিল। কিন্তু সেই কালত মহত্ব লাভ কৰিবলৈ যিবিলাক কূট ৰাজনীতি আৰু শক্তিৰ দৰকাৰ সেই বিলাক তেওঁৰ নাছিল। তেওঁৰ শৰীৰৰ অৱয়ৱ যেনে সুন্দৰ তেনে বিলাসীও আছিল। অন্তঃপুৰৰ এটাইৰে ভিতৰত কেবল দাৰালৈহে জেহানেৰাৰ সহানুভূতি আছিল। এওঁলোক দুইৰো বাহিৰে গুপ্ত ৰাজনীতিৰ অন্য কোনেও একো জানিবলৈ নেপাইছিল। আৰবী আৰু সংস্কৃত ভাষাত দাৰাই বিশেষ ব্যুৎপত্তি লাভ কৰি জেহানেৰাৰ সৈতে দিনৰ বেছি ভাগ সাহিত্য সম্বন্ধীয় উচ্চ আলোচনাত দিন কটাইছিল।

জেহানেৰাৰ মিছা অপযশ প্ৰকাশ হোৱাৰ কেদিন মানৰ পিছত এদিন ৰাতিপুৱা দাৰা দৰবাৰলৈ যাবলৈ আহি জেহানেৰাৰ কোঠাত সোমাল। সেই সময়ত জেহানেৰাই নগিনা মচজিদত নামাজ পৰি আহিছে মাথোন। দাৰাক দেখা পায়েই তেওঁ তিৰস্কাৰ কৰি কলে "মই নিশ্চয় জানো তুমি মচজিদলৈ যোৱা নাই। প্ৰকৃতই এইটো বৰ বেয়া কথা"। দাৰাই হাঁহি মাৰি কলে "কোনো মানুহে মচজিদত ঈশ্বৰক প্ৰাৰ্থনা কৰিলেই অমৰ হবনে? যদি নহয় তাক কৰাৰ লাভ কি"? জেহানেৰাই কলে "তুমি সদায় প্ৰহেলিকাছন্দত কথা কোৱা। বিধৰ্ম্মী দৰ্শন শাস্ত্ৰ পাঠ কৰি তুমি কোনো উৎকৰ্ষ লাভ কৰিব পৰা নাই"। দাৰাই কলে "সেই কথা থৈ দিয়া এতিয়া। মই তাৰ বাবে তোমাৰ ওচৰলৈ অহা নাই। তোমাৰ লগত গুৰুতৰ বিষয়ে পৰামৰ্শ কৰিব লগীয়া আছে। তোমাৰ সহায় মোৰ পক্ষে বিশেষ দৰকাৰ হৈছে।"

দাৰাই জেহানেৰাৰ আগত ৰাজ্যশাসনৰ সাধাৰণ অৱস্থা বৰ্ণনা কৰি কলে "আউৰঙ্গজিবে উৎসাহ দিয়াত চুজা আৰু মুৰাদে প্ৰত্যেক দিনেই তেওঁৰ প্ৰতি শত্ৰুতাৰ পৰিচয় দিছে। চুজা ক্ষমতাপন্ন হলেও দূৰ বঙ্গদেশত থকা বাবে তেওঁৰ পৰা বিশেষ ভয় নাই। মুৰাদ দুৰ্ব্বল গতিকে তেওঁৰ পৰাও চিন্তাযুক্ত হোৱাৰ কাৰণ নাই। কেবল নামাজী আউৰঙ্গজীবকেই তেওঁ বেছি ভয় কৰে। আউৰঙ্গজীবৰ নামাজ পঢ়িবলৈ ধাউতি বেছি কাৰণেই দাৰাই তেওক নামাজী বুলি মাতিছিল। নামাজী এতিয়া মুৰাদৰ পক্ষপাতী হৈছে কিন্তু তেওঁৰ কোনো কথাই বিশ্বাসযোগ্য নহয়। সম্ৰাটৰ সম্পূৰ্ণ সহায় পালে মই তিনিওকো এতিয়াই বশ কৰিব পাৰো কিন্তু সম্ৰাটৰ চিত্ত অতি চঞ্চল আৰু তেওঁৰ প্ৰকৃত উদ্দেশ্য এতিয়াও

অনিশ্চিত। একোখনকৈ প্ৰদেশ তেওঁবিলাকৰ তলত থৈ সম্ৰাটে কেবল তেওঁলোকৰ বল বৃদ্ধি কৰিছে। ৰাজক্ষমতাৰ ছাঁয়াৰে মোক ৰাজধানীত ৰাখি তেওঁ মোৰ অনিষ্ট চিন্তিছে। তেওঁলোক একযোগ হৈ সম্ৰাটক সিংহাসন-চ্যুত কৰি বলেৰে সম্ৰাট হবলৈ নানা ষড়যন্ত্ৰ কৰিছে বুলি অনেকবাৰ কৈছোঁ। চুজা আৰু মুৰাদক ৰাজধানীলৈ আনি সম্ৰাটৰ তত্বাৱধানত ৰাখি ক্ষমতাশূন্য কৰিবলৈ অনেকবাৰ প্ৰস্তাৱ দিছোঁ। ইমানবিলাক প্ৰত্যক্ষ প্ৰমাণ দিয়াতো একো ফল ধৰা নাই। সম্ৰাটে কি কৰিব খুজিছে একো বুজিব নোৱাৰি।"

জেহানাৰা—"তোমাৰ বুজাত ভুল হৈছে, দাৰা। হৃদয়বান সম্ৰাটে সন্তানৰ প্ৰতি কৰুণ চেনেহৰ বাবেই হঠাৎ একো নকৰি বৈ আছে।"

দাৰা—"তুমি কি কোৱা, আৰু দুবছৰৰ মূৰত চুজা আৰু মুৰাদৰ ক্ষমতা ইমান বেছি হৈ উঠিব যে তেওঁলোকে মোক পুতলাৰ দৰে নচুৱাব। মই ভালকৈয়ে বুজিছো ঘটনা ক্ৰমান্বয়ে বিষম সমস্যালৈ আহিছে।"

জেহানেৰা—"বাৰু এতিয়া তুমি কি কৰিব খোজা?"

দাৰা—"মই এতিয়াই সিংহাসনত আৰোহণ কৰিব খোজো। যদি সম্ৰাটে সম্মত দিয়ে ভালেই। যদিহে মত নিদিয়ে তেওঁক বন্দী কৰিবৰ ইচ্ছা। ইয়াৰ বাহিৰে মই সম্ৰাট হোৱাৰ একো উপায় নেদেখো।"

জেহানেৰা—"তুমি অসংযত প্ৰস্তাৱ এটা দিছা। তুমি যে তেওঁৰ পুত্ৰ এইটো একেবাৰেই পাহৰিলা। তুমি যি মৰম আৰু অনুগ্ৰহ পাইছা সেইবিলাকো পাহৰিলা।"

দাৰা—"সম্ৰাটে কিবা বিশেষ মৰম আৰু অনুগ্ৰহ দেখাইছে বুলি নেজানো। সম্ৰাটৰ কাৰ্য্যপ্ৰণালী মোৰ ভবিষ্যৎ উন্নতিৰ উপযোগী বুলি নধৰে।"

এই বিলাক অসংযত কথা শুনি জেহানেৰাই গম্ভীৰ হৈ কলে "এতিয়া পিতৃক বন্দী কৰি কাৰাগাৰত থবলৈকে মোৰ সহায় আৰু সহানুভূতি বিচাৰিছানে কি?"

দাৰা—"সম্ৰাটৰ অনিষ্ট চিন্তা সমূলি কৰা নাই। যদি সম্ৰাটে মোৰ স্বাৰ্থৰ বিৰুদ্ধে সুমত নিদিয়ে তাৰ বাহিৰে অন্য উপায় নাই।"

জেহানেৰা—"দাৰা, তুমি নিশ্চয় জানিবা এনে নীচ কাৰ্য্যত মই নিজক লিপ্ত কৰিব নোৱাৰো। এইটো ভালকৈয়ে বুজিবা যি জন সম্ৰাটৰ শত্ৰু তেওঁ মোৰো শত্ৰু।"

জেহানেৰাৰ পৰা এই উত্তৰ পাই দাৰাই ৰাগান্বিত হৈ অসন্তুষ্ট মনে বাহিৰ ওলাই গল। ইয়াৰ পিছতে ৰৌচুনে বেজাৰমুৱাকৈ মুখ ওলোমাই জেহানেৰাৰ মহলত সোমাল।

জেহানেৰা—"ৰৌচুন, কিয় আহিলা, কিবা হৈছে নে কি?"

ৰৌচুন—"বাইদেউ, মই কবলৈ বৰ লজ্জিত হৈছোঁ। সম্ৰাটে এটা অতি অপ্ৰীতিকৰ খবৰ দিবলৈ মোক পঠাইছে। সম্ৰাটে বিশ্বাসযোগ্য প্ৰমাণ পাইছে যে কাচিম আৰু আপোনাৰ ভিতৰত গুপ্ত প্ৰণয় চলিছে আৰু কেইদিন মান আগতে এদিন ৰাতি কাচিমক আপোনাৰ কোঠাত দেখা পাইছে। এই কথা সকলোৱে জানিব পাৰি লাজত মুৰ দোঁৱাইছে। সম্ৰাটৰ জীয়াৰীক কলুষিত কৰা বাবে আজি দৰবাৰত সম্ৰাটে বিহ মিশ্ৰিত তামোল খুৱাই কাচিমক বধ কৰিব।"

এই কথা শুনি জেহানেৰাৰ অন্তৰ টলমল কৰিবলৈ ধৰিলে। সেই সময়ত তেওঁৰ মনোভাব তেওঁ নিজেই জনা নাছিল। মিছা কথাৰ এনে আবৰ্ত্তন তেওঁ সপ্নতো ভবা নাই। এনে মিছা নীচ গৰ্হিত চক্ৰান্তত তেওঁক লিপ্ত কৰি তেওঁৰ ওপৰত কলঙ্ক আৰোপ কৰাত তেওঁ ক্ৰোধান্বিত হৈ উঠিল. সম্ৰাটেও যে এই মিছা অপযশ বিশ্বাস কৰিব পাৰিলে এইটো তেওঁৰ পক্ষে অতি অসহনীয় হল। বিশেষকৈ ৰৌচুনক পঠাই যে এই খবৰ তেওঁক দিয়ালে ইয়াতকৈ আৰু শেষ অপমান নাই বুলি ভাবিলে। অপমানৰ অনুপাতে তেওৰ খং উঠিল।

ৰৌচুনে কোনো উত্তৰ নেপাই কোঠাৰ পৰা বাহিৰলৈ ওলাই গল। যন্ত্ৰণাদায়ক চিন্তাক্ৰান্তা হৈ জেহানেৰা বিছনাত পৰি গল। তেওঁৰ স্বাভাবিক অহঙ্কাৰে তেওঁক কেবল এটা প্ৰতিশোধৰ সঙ্কেট দিলে। যেই সেই উপায়ে তেওঁ কাচিমক বিয়া কৰাব আৰু ক্ষমতাশালী সম্ৰাট সেই বিয়াত সাক্ষীস্বৰূপে উপস্থিত থাকিব লাগিব। এই মধুৰ

প্ৰতিশোধৰ বাহিৰে অন্য একো তেওঁ মনত ভাবিব নোৱাৰিলে। নিষ্ঠুৰ অপমানৰ প্ৰতিদানৰ বিষয়ে চিন্তা মগ্নাৱস্থাত থাকোতেই অজ্ঞাতসাৰে ধীৰে ধীৰে কাচিমৰ মূৰ্ত্তি তেওঁৰ অন্তৰত ভাহিবলৈ ধৰিলেহি। কাচিমৰ পুৰোযোচিত ওখ আচৰণ আৰু নিৰ্ভীক আত্মসমৰ্পণ তেওঁৰ মনত পৰিল। তেওঁৰ আৰু মনত পৰিল কাচিমৰ উত্তেজনাপূৰ্ণ বদনমণ্ডল, প্ৰগাঢ় প্ৰণয় আৰু ভালপোৱাৰ উক্তি আৰু কাচিমৰ প্ৰতি তেওঁৰ নিষ্ঠুৰ অসদ্ব্যৱহাৰ। এই সমস্ত ঘটনাৰ স্মৃতিয়ে জেহানেৰাৰ অন্তৰত ধীৰে ধীৰে কাচিমৰ উপস্থিতিয়ে আনিব নোৱাৰা শ্ৰদ্ধাৰ ছাপ দিলেহি। এক ঘণ্টাৰ পিছতেই যে কাচিমৰ মৃত্যু এই চিন্তাই তেওঁক ভয়ঙ্কৰ উৎপীড়ন কৰিবলৈ ধৰিলে। কাচিম অপৰাধী নে? কাচিমে কি দোষ কৰিছে? কাচিমে নিজৰ প্ৰাণ উচ্ছৰ্গা কৰি তেওঁক ভাল পাইছিল আৰু সেই ভালপোৱাৰ উত্তেজনাৰ বশবৰ্ত্তী হৈ নিজৰ নিৰ্ব্বিঘ্নতালৈ আওকাণ কৰি তেওঁৰ কোঠালৈ আহিছিল। তেওঁক ভালপোৱাৰ নিমিত্তেই কাচিমে প্ৰাণ হেৰুৱাব লাগিবনে?

তেৱেঁই যে এই উঠি অহা কাৰ্য্যদক্ষ সম্ভ্ৰান্ত যুবকৰ শোচনীয় মৃত্যুৰ কাৰণ সেইটো তেওঁৰ পক্ষে অসহ্য হৈ উঠিল। এই চিন্তাই বাল্যাৱস্থাৰ দুয়োৰো মিলন চেনেহ ৰং ধেমালি তেওঁক স্পষ্টকৈ সোঁৱৰাই দিলেহি। অন্তৰত তেওঁ কাচিমৰ প্ৰতি অদম্য অনুতাপ আৰু সমবেদনা অনুভৱ কৰিলে—এই মানসিক অৱস্থাৰ পিছৰ ক্ৰম অৱস্থাকেই মনোবিজ্ঞানবিদ সকলে প্ৰণয় বা প্ৰেম বুলি কয়।

তেওঁ নিজকে অত্যন্ত অসুখী অনুভৱ কৰি চটফটাবলৈ ধৰিলে। কাচিমৰ মৃত্যু চিন্তাই তেওঁক অধীৰ কৰি বিবেচনাহীন কৰিলে। এতিয়া কি কৰিব লাগিব তেওঁ একো ঠিক কৰিব নোৱাৰিলে কিন্তু অন্তৰত এটা অস্ফুট স্বৰে কৈ দিলে কাচিমক উদ্ধাৰ কৰা। এই চাঞ্চল্যাৱস্থাত তেওঁ ভায়েক দাৰাক বাটৰ পৰা ঘূৰাই আনিবলৈ প্ৰহৰাক পঠিয়াই দিলে। এতিয়া এক মুহূৰ্ত্তও অপেক্ষা কৰিব নোৱাৰি। সম্ৰাটে দৰবাৰলৈ যাবলৈ খৰধৰ লগাইছে আৰু দৰবাৰ কাৰ্য্য প্ৰণালীৰ প্ৰথম কৰ্ত্তব্য তামোল আৰু আতৰ বিতৰণ।

দাৰা উভতি আহি দেখিলেহি জেহানেৰাৰ চলচলিয়া চকুৰ পৰা দুয়ো গালেদি দুধাৰ তপত লো বৈ গৈছে। জেহানেৰাই দাৰাৰ হাতত খামোচমাৰি ধৰি কলে—"ভাই অলপ আগতেই মই তোমাক নিষ্ঠুৰ ব্যৱহাৰ কৰিলোঁ। ক্ষমা কৰা মই আৰু আগলৈ কেতিয়াও তেনে নকৰো। দাৰাই জেহানেৰাক কেতিয়াও তিমান নম্ৰ দেখা নাছিল। বাইদেৱেকৰ শোকাকুল অৱস্থা দেখি আচৰিত হৈ তেওঁ কি হৈছে বুলি সুধিলে। জেহেনেৰাই চকুৰ পানী টুকি সম্ৰাট আৰু ৰৌচুনে দিয়া মিছা কলঙ্ক আৰু অপমানৰ কথা কৈ কাচিমৰ প্ৰাণ ৰক্ষাৰ নিমিত্তে কাকুতি কৰিলে। কাচিমক উদ্ধাৰ কৰি বিয়া কৰাবলৈ জেহেনেৰাই যি সহায় বিচাৰে দাৰাই যদি সেই কামত সহায় কৰে তেনেহলে দাৰাই সিংহাসন লাভ কৰিবলৈ প্ৰয়োজনীয় সহায় দিবলৈ জেহানেৰাই অঙ্গিকাৰ কৰিলে। দাৰায়ো জেহানেৰাৰ হাতত খামুচি ধৰি কলে "সঁচাকৈয়ে তুমি মোৰ সহায় হবা নে?" জেহানেৰাই তেওঁক দঢ়াই দঢ়াই অশংসয় হৈ থাকিবলৈ কোৱাত বেগাবেগীকৈ তেওঁ দৰবাৰ হললৈ খোজ ললে।

(৫)

দেওয়ানী আম অট্টালিকাৰ দৰবাৰ হলত প্ৰবেশ কৰিয়েই দাৰাই কাচিমৰ ওচৰলৈ গৈ কাণে কাণে ফুচফুচাই কিবা কলে। ইয়াৰ পিছতেই এজন কৰ্ম্মচাৰীয়ে "সম্ৰাট" বুলি কোৱাত সম্ৰাটৰ প্ৰবেশ দুৱাৰ মুকল হল আৰু সম্ৰাট দুৱাৰদলি পাৰহোৱা মাত্ৰেই উপস্থিত বিষয়া সকল থিয় হৈ মূৰ দোঁৱালে।

সম্ৰাট সিংহাসনত বহাৰ পিছতেই এজন কৰ্ম্মচাৰীয়ে এখন সোণালী ফুলৰ ৰূপৰ থালত তামোল আৰু আতৰ আনি উপস্থিত কৰিলেহি। নাম অনুসৰি শ্ৰেষ্ঠ আমিৰ সকলে এজন এজনকৈ সিংহাসনৰ কাষলৈ আহি সসম্ভ্ৰমে মূৰ দোঁৱাই আতঁৰ আৰু আৰু ৰূপালী আৰু সোণালী পাতেৰে সজাই থোৱা তামোল একোখন

গ্ৰহণ কৰি গৈ আছে। এওঁলোকৰ শেষ পৰাত দ্বিতীয় শ্ৰেণীৰ আমিৰ সকলে সেই দৰেই আতঁৰ আৰু তামোল একোখন গ্ৰহণ কৰিলে। তৃতীয় শ্ৰেণীত আছিল কাচিম। এওঁ আহি সিংহাসনৰ কাষ চাপিলত সম্ৰাট এক মুহূৰ্ত্তমান বিচলিত হৈ থতমত খাইছিল যেন লাগিল। কাচিমে আতঁৰ আৰু যিহ মিশ্ৰিত তামোলখন লৈ নিজৰ বহা ঠাইলৈ উভতি গল। সম্ৰাটৰ অনিমেষ দৃষ্টি কাচিমৰ লগে লগেই গৈছিল। আসনত বহিয়েই কাচিমে যেতিয়া মুখত তামোল খন ভৰালে সম্ৰাটে হৃষ্ট চিত্তৰে দৃষ্টি ঘূৰাই আনিলে।

ইয়াৰ পিছত ৰাজকাৰ্য্য চলিল। দহমিনিট মান বাদে কাচিমৰ মূৰ ঘূৰাবলৈ ধৰিলে। চাঁওতে চাওঁতেই কাছিম বহা আসনৰ পৰা মাচিৱাত পৰি গল। দাৰাৰ পৰা ইঙ্গিত পাই কেইজনমান কৰ্ম্মচাৰীয়ে কাচিমক ধৰাধৰি কৰি বাহিৰলৈ উলিয়াই নিলে। ডাঙ্গি নিওঁতে কাচিমৰ মূৰ আৰু হাত ওলমি পৰি যোৱা দেখি সম্ৰাটৰ মুখমণ্ডলত আনন্দৰ ঢৌ বৈ গল।

ইয়াৰ পিছত সম্ৰাটে আৰু বেছি সময় ৰাজকাৰ্য্য কৰিব নোৱাৰিলে। সম্ৰাট দৰবাৰ হলৰ পৰা ওলাই গৈ নাওত উঠি যমুনাৰ সিপাৰে তাজমহলৰ নিৰ্ম্মাণ কাৰ্য্য চাবলৈ গল। দাৰাই সিংহাসনত বহি ৰাজকাৰ্য্য আৰম্ভ কৰিলে। অলপ সময়ৰ ভিতৰতে এজন দূতে এখন চিঠি আনি তেওঁক দিয়াত সেই চিঠি পঢ়ি তেওঁৰ মন ওলট পালট হৈ পৰিল আৰু তেতিয়াই দৰবাৰ ভাঙ্গি কেজন মান বিশ্বস্ত মন্ত্ৰীৰে সৈতে দেওয়ানী খাছলৈ গৈ গুপ্ত মন্ত্ৰণাত বহিল।

ইয়াৰ দুদিনৰ পিছত দাৰাই এদল সৈন্য লৈ যাত্ৰা কৰিলে কিন্তু কোন দিকলৈ গল কোনেও নেজানিলে। তেওঁ কামত ইমান ব্যস্ত আছিল যে যাত্ৰাৰ শেহ মুহূৰ্ত্তলৈকে জেহানেৰাৰ লগত দেখা কৰিবলৈ সুবিধা কৰিব নোৱাৰিলে। দুৰ্গৰ পৰা ওলাই যোৱাৰ পূৰ্ব্বে তেওঁ জেহানেৰাৰ কোঠাত সোমাইছিল কিন্তু বাইদেৱেক এজন সম্ভ্ৰান্ত মানুহৰ ঘৰত নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ যোৱাত সাক্ষাত নহল। অপেক্ষা কৰিবলৈ সময় একেবাৰেই নাছিল। তলত দিয়া চিঠিখন লেখি জেহানেৰাৰ বিছনাৰ ওপৰত থৈ তেওঁ আগ্ৰা এৰি যাত্ৰা কৰিলে।

"মৰমৰ ভনীটি

মই চিকাৰ উদ্দেশ্যে বাহিৰ হলোঁ। তোমাৰ প্ৰতিজ্ঞালৈ মনত ৰাখিবা।

—দাৰা"

জেহানেৰাই উভতি আহি জানিলে দাৰাই প্ৰায় এক ঘণ্টা পূৰ্ব্বে যাত্ৰা কৰি ওলাই গল। দাৰাই থৈ যোৱা ক্ষুদ্ৰ লিপিত তেওঁ জানিবলৈ হাবিয়াস কৰা বিষয়ে একো উল্লেখ নাই। তেওঁৰ সেই সময়ৰ চিত্তোদ্বেগ বৰ্ণনা কৰাত কৈ অনুমান কৰি লোৱাই ভাল। দাৰাই থৈ যোৱা চিঠিৰ অৰ্থ দুই ৰকমেই কৰিব পাৰি। হয়তো কাচিমৰ প্ৰাণ ৰক্ষা কৰি তেওঁৰ নিজ প্ৰতিজ্ঞা ৰাখিবলৈ সোঁৱৰাই দিছে নাইবা কাৰ্য্য সিদ্ধি কৰিব নোৱাৰি সেই বিষয়ে একো উল্লেখ নকৰিলে। এই সময়তে এজনী দাসী তেওঁৰ আগত উপস্থিত হলহি। এই দাসীকেই তেওঁ কাচিমৰ বিষয়ে সঠিক খবৰ আনিবলৈ পঠিয়াইছিল। তাইক দেখা পাই তেওঁ দোখোজ আগবাঢ়ি গৈ কি খবৰ আনিছে সুধিলে।

দাসীয়ে কলে "কাচিম পৰলোক প্ৰাপ্ত হল। দৰবাৰত দিয়া তামোলখন খোৱাৰ পিছতেই তেওঁ মূৰ্চ্ছাক্ৰান্ত হৈ সন্ধ্যাৰ সময়ত মৃত্যু হৈছে। তেওঁৰ ঘৰত থকা মানুহে কলে—তেওঁ দৰবাৰলৈ গৈ আজিলৈকে উভতি অহা নাই।"

বিষাদভৰা কথা শুনি জেহানেৰাই উদাস দৃষ্টিৰে দাসীৰ চকুলৈ চাই থৰ লাগি ৰল [illegible] খন্তেকৰ পিছতে অজ্ঞানাৱস্থাত দাসীৰ বাহুত [illegible]



গীতানুসৰণ

—শ্ৰীযুত ধীৰেশ্বৰ ভট্টাচাৰ্য্য

[অস্তাচল প্ৰাৰ্থনা সমিতিৰ দ্বাৰাই পৰিচালিত আৰু শ্ৰীযুত ধীৰেশ্বৰ ভট্টাচাৰ্য্য, শ্ৰীযুত কমলেশ্বৰ চলিহাৰ দ্বাৰা সম্পাদিত হাতে লিখা মাহেকীয়া আলোচনী 'গীতাৰ্থী'ৰ পৰা উদ্ধৃত।]

১। গীতাৰ চতুৰ্দ্দশ অধ্যায় ৩য় আৰু চতুৰ্থ শ্লোকত ভগবান শ্ৰীকৃষ্ণই কৈছে :—

মম যোনিৰ্ম্মহাব্ৰহ্ম তস্মিন্ গৰ্ভং দধাম্যহং।
সম্ভবতঃ সৰ্ব্বভূতানাং ততো ভবতি ভাৰত॥ ১৪;৩
সৰ্ব্বযোনিষু কৌন্তেয় মূৰ্ত্তয়ঃ সম্ভবন্তি যাঃ।
তাসাং ব্ৰহ্ম মহদ্যোনিৰহং বীজ প্ৰদঃ পিতা॥ ১৪;৬

হে ভাৰত! মহদ্‌ব্ৰহ্ম অৰ্থাৎ প্ৰকৃতি মোৰ যোনি স্বৰূপ, তাতে মই গৰ্ভাধান কৰো আৰু তাৰে পৰাই সকলো ভূত অৰ্থাৎ প্ৰাণী বিলাকৰ উৎপত্তি হয়।

হে কৌন্তেয়! যোনি মাত্ৰতে যি বিলাক প্ৰাণীৰ উৎপত্তি হয় সেই সকলোৰে মূল জন্ম স্থান প্ৰকৃতি আৰু মই সেই বিলাকৰ বীজ বপন কৰোতা পিতৃ পুৰুষ।

২। ওপৰত দিয়া দুই শ্লোকৰ মৰ্ম্ম এই দৰে প্ৰকাশ কৰিব পৰা যায় যে প্ৰকৃতিৰ গৰ্ভত আৰু ভগৱানৰ ঔৰসত ভূত মাত্ৰৰে জন্ম হ'ল। এতেকে ভগৱান শ্ৰীকৃষ্ণ আমাৰ পিতৃ আৰু আমি প্ৰাণী মাত্ৰেই তেওঁৰ পুত্ৰ। এই ঈশ্বৰ আৰু মানুহৰ তথা ইতৰ প্ৰাণীৰ পিতা-পুত্ৰৰ সম্বন্ধত নতুনত্ব একো নাই। কিয়নো দৃশ্যমান কিম্বা সম্ভাব্যমান জগৎ সকলোৱেই যে ঈশ্বৰৰ অংশ কলা তাক আদি কালৰ পৰাই সুধী সমাজে বিশ্বাস কৰি আহিছে আৰু অনন্ত কাললৈকে তদ্ৰূপ বিশ্বাস অক্ষুণ্ণ হৈ থাকিব বুলি সকলোৱে একবাক্যে স্বীকাৰ কৰিব। [illegible] ন এইটো নিশ্চয় যে আজি যদি পুৰুষী [illegible] হয় আৰু তাত যদি সেই [illegible] কৰি ক্ৰমাৎ শাখা [illegible] ভাই ভনী, [illegible] আছোনে? ভগৱান কৃষ্ণৰ পৰা আমি কেই পুৰুষ আঁতৰ তাক বিচাৰি চাইছোনে? কেতিয়াও চোৱা নাই, চাবৰ আৱশ্যকো পৰা নাই, কিয়নো সাংসাৰিক, সামাজিক নাইবা ব্যক্তিগত সুবিধাৰ কাৰণে আমি হাত মেলি ঢুকি পোৱাৰ বাহিৰে আৰু যাবলৈ ইচ্ছা নকৰোঁ। তাতেই তথাস্তু বুলি আমি "পাছ দিলে পৰ্ব্বতক পিঠি" এই সূত্ৰ মাতি নিজৰ সকলো কাৰ্য্য সমাধা কৰি পেলাওঁ! এইদৰে সন্তুষ্ট থকাত ভগৱানৰ পিতৃত্ব স্বীকাৰ কৰো যদিওবা পিতা-পুত্ৰৰ মাজত সম্বন্ধ তথা সহোদৰ স্নেহ আৰু প্ৰীতি উপলব্ধি কৰিবলৈ অস্বীকাৰ কৰোঁ। এই সাৰ্ব্বজনীন ভাবৰ বৃদ্ধি, শিক্ষা আৰু প্ৰচাৰৰ আমি কি চেষ্টা কৰিছো তাৰ জোখ লবলৈ গলে বহুতেই হতাশ হব লাগিব। সকলো পুত্ৰই লগলাগি যেনেকৈ পিতৃৰ ওচৰত মূৰ দোৱাঁয় আমি তেনেকৈ ওচৰ চুবুৰীয়া ভাই-বন্ধু লগলাগি এক পিতৃ ঈশ্বৰৰ চৰণত মূৰ দোৱাঁইছো নে? মূৰ্খ ভাই থাকিলে তাক শিক্ষা দিবৰ কাৰণে যি এফেৰা চেষ্টা কৰো আমাৰ চাৰিওফালে থকা অজ্ঞ ভাই ভনী সকলৰ প্ৰতি তেনে বিধৰ কিবা আচৰণ কৰিছোনে? উঠোঁতে বহোতে কেছুৱা ভাই ভনীহঁতক যেনেকৈ 'আই' 'পিতা, 'বাউদেউ' 'ভনীটি' এই দৰে মাত শিকাই সম্বন্ধৰ পৰিচয় কৰি দিছো তেনেকৈ আমাৰ সমাজৰ কেইজন নিৰক্ষৰক পৰম পিতা ভগৱানৰ লগত সম্বন্ধৰ পৰিচয় কৰি দিছোঁ? ঈশ্বৰ আছে নামঘৰ আছে, সকাম নিকাম, আদিও নিয়ম মতে কৰো এই বুলি গৌৰৱ কৰি বহি থাকিলেই হবনে? ভাতৃভাৱৰ শিক্ষা আৰু প্ৰচাৰৰ আৱশ্যক নাইনে? উপযুক্ত শিক্ষাৰ অভাৱতেই যদি পিতাপুত্ৰৰ সম্বন্ধৰ শৈথিল্য ঘটিবৰ সম্ভাৱনা হয়, তেনে হলে ধৰ্ম্মমূলক শিক্ষাৰ অভাৱত ভগৱান আৰু প্ৰাণী জগতৰ মাজত তেনে কোনো প্ৰকাৰৰ

শৈথিল্য নঘটিবনে? উত্তৰত এই কথা কব পাৰি যে আমাৰ এতিয়া নতুনকৈ ধৰ্ম্ম শিক্ষাৰ একো আৱশ্যক নাই, কিন্তু সেই বুলি তাৰ চৰ্চ্চাৰো আৱশ্যক নাইনে? যদি নাই বুলি কওঁ তেনে হলে আমি নিজেই শাশ্বত ধৰ্ম্মৰ পবিত্ৰ আলোকৰ পৰা আঁতৰি আহি অজ্ঞান আন্ধাৰত নপৰিমনে? আৰু যদি আছে বুলি কওঁ তেনেহলে তাৰ কাৰণে আমি কি কৰিছো কিবা ভাবি চাইছোনে? নানা ভাষাৰ নানা জ্ঞানপূৰ্ণ পুথিৰে সৈতে ভৰি থকা আলমাৰি গোটাচেৰেক সজাই থৈ তাৰ এখনো পুথি নপঢ়ি আৰু তাৰ পৰা কোনো প্ৰকাৰৰ জ্ঞান লাভ নকৰি তাক চাই থাকিলে তাৰ পৰা যি খিনি উপকাৰ পাব পাৰি আমাৰ শাস্ত্ৰ বিলাকলৈ চাই তাৰ বিষয়ে গৌৰৱ কৰিও সেই একে লাভকে পোৱাৰ বাহিৰে আৰু কিবা বেছি সংগ্ৰহ কৰিব পাৰিনে? ব্যৱহাৰ কৰিব নজনা মানুহৰ হাতত বন্দুক এটা থাকিলে তাৰ জীৱনৰক্ষা কৰাত যিমান সাহস থাকে আমিও ব্যৱহাৰ নজনাকৈ আৰু নিশিকাকৈ শাস্ত্ৰ সমূহলৈ একো সাহসকে কৰি থকা নাইনে? উক্ত মানুহক বন্দুক থকা স্বত্বেও আক্ৰমণ কৰিলে সি পৰা'স্ত বা আহত নহবনে? তেতিয়া আৰু অস্ত্ৰ আছে—প্ৰথম শ্ৰেণীৰ অস্ত্ৰ আছে—এই চিঞৰে তাৰ ঐশ্বৰ্য্য বিভূতি ৰক্ষা কৰি দিব পাৰিবনে? বৰং তাৰ অস্তিত্ব লৈয়েই টনাটনি নপৰিবনে? বন্দুকৰ গৰাকী হলেই যেনেকৈ নহব তাৰ উপযুক্ত ব্যৱহাৰ জানিবও লাগিব তেনেকৈ আমিও আমাৰ অমূল্য শাস্ত্ৰৰাজিৰ ব্যৱহাৰ জানিব নেলাগিবনে? তেন্তে এই শিক্ষা আমাক কোনে দিব। যেহেতু চলিত শিক্ষা পদ্ধতিৰ ভিতৰেদি আমি তেনে ধৰ্ম্ম মূলক শিক্ষা পাব নোৱাৰো আমাৰ নাম ঘৰ কীৰ্ত্তনঘৰ বিলাকে সেই শিক্ষা দিব নেলাগিবনে। আৰু লাগে বুলি কলেই এই শিক্ষাকেন্দ্ৰ বিলাকৰ দায়িত্ব হেজাৰ গুণে বৃদ্ধি হৈ নপৰিবনে।

৩। এতিয়া চোৱা যাওক আমাৰ নামঘৰ কীৰ্ত্তন ঘৰ বিলাকে আমাৰ মাজত সাম্যভাৱৰ প্ৰচাৰ কৰাত, আমাক প্ৰকৃত সমাজ নেতা গঢ়ি তোলাত কিমান সাহায্য কৰিছে। নামঘৰ কীৰ্ত্তনঘৰ দেৱমন্দিৰ আদি ধৰ্ম্মানুষ্ঠান বিলাকে তোমাক কি শিক্ষা দিব লাগিছে আৰু প্ৰত্যেকৰে আমাৰ ওপৰত আধিপত্য কিমান। সকলো ধৰ্ম্মানুষ্ঠান বিলাকৰ প্ৰতি আমাৰ যি ভক্তি আছে তাক দুই ভাগত ভগাব পাৰি। প্ৰথম জাগ্ৰত ভক্তি দ্বিতীয় সুপ্ত ভক্তি। যত ধৰ্ম্ম মন্দিৰ বিলাকৰ অৱস্থা উন্নত, চৌহদ পৰিষ্কাৰ পৰিচ্ছন্ন, সৌন্দৰ্য্য আকৰ্ষণীয় যত নিতৌ শাস্ত্ৰৰ মহিমা আৰু ঈশ্বৰৰ গৌৰৱ প্ৰচাৰ হব লাগিছে যত সকলো ভাই ভনীয়ে আন্তৰিক শ্ৰদ্ধাৰে সৈতে উপস্থিত হৈ নিজ নিজ পিতৃ ঈশ্বৰৰ চৰণত মূৰ দোৱাইছে, যত ঐশ্বৰিক শক্তি লাভৰ বাহিৰে, বাহ্যিক প্ৰলোভন লেশমাত্ৰও নাই, যত মন্দিৰ এৰি অহাৰ পাছত মন উন্নত আৰু ওখ খাপৰ চিন্তাত মগ্নহব পাৰিছে, তাতেই জাগ্ৰত ভক্তি বৰ্ত্তমান, আৰু এই উদ্দেশ্যে যিবিলাকে কাৰ্য্য কৰিছে তেওঁবিলাকেই জাগ্ৰত ভক্ত। আন ফালে যত ধৰ্ম্মমন্দিৰ বিলাকৰ অৱস্থা শোচনীয়, যত উপস্থিতি নৈৰাশ্যজনক, যত, ধেমালি কৰাৰ দৰে মাথোন বছেৰেকত এবাৰ বা দুবাৰ হে ধৰ্ম্ম মন্দিৰৰ ব্যৱহাৰ হৈছে, যত ৰোগীয়ে ঔষধ সেৱন কৰাৰ দৰে কোনো মানস নাম এভাগ বা পূজা এভাগ কৰিবৰ কাৰণেহে নামঘৰত মূৰ চপৰোৱা হৈছে তাতেই সুপ্ত ভক্তিৰ সম্পূৰ্ণ প্ৰাদুৰ্ভাৱ আৰু তেনে উদ্দেশ্যেৰে কাজ কৰা লোক সকলেই সুপ্ত ভক্ত।

৪। ভগৱান শ্ৰীকৃষ্ণই গীতাৰ নৱম অধ্যায়ৰ ৩৪ শ্লোকত কৈছে "মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু"—৯; ৩৪।১—মোত মনোনিবেশ কৰা, মোৰ ভক্ত হোৱা মোৰ উদ্দেশ্যে যজ্ঞ কৰা আৰু মোক নমস্কাৰ কৰা। কিন্তু এইবিলাকৰ কোনো এটা কামতেই তোমাৰ ভায়েৰাক আতঁৰাই নথবা। তুমি স্বাৰ্থপৰ নহবা তোমাৰ ওচৰত তোমাৰ ভায়েৰাক আসন দিয়া। কিয়নো "সমোঽহং সৰ্ব্বভূতেষু ন মে দ্বেষোঽস্তি ন প্ৰিয়ঃ।—৯; ১৯/১। মই সকলো প্ৰাণীত সমভাৱে বৰ্ত্তমান আছো, মোৰ কোনো অপ্ৰিয় বা প্ৰিয় কিম্বা আপোন বা পৰ নাই। এতেকে মই মোৰ

সকলো পুত্রৰ প্রতি যেনে আচৰণ কৰো তোমালোকেও পৰস্পৰৰ ভিতৰত তেনে আচৰণ কৰা।

৫। এই শিক্ষা দিব লাগিব আমাক নামঘৰে কীর্ত্তনঘৰে, ধর্ম্মমন্দিৰে। তাত তৃপ্তিজনক খাদ্যাদিৰ সমাবোহ কৰি পৱিত্ৰ ধর্ম্ম মন্দিৰ বান্ধনি ঘৰ কৰি তোলাৰ আমাৰ কি অধিকাৰ আছে। বিশেষতঃ ভগৱানে কোনো নির্দ্দিষ্ট বস্তু বিচৰা নাই বিচাৰিছে মাথো—

যৎকৰোষি যদশ্নাসি যজ্জুহোসি দদাসি যৎ।
যৎ তপস্যসি কৌন্তেয়! তৎকুরুষ মদর্পণম ॥৯; ২৭

হে কৌন্তেয়! তুমি যি কৰা যি খোৱা যি হোম কৰা যি দান কৰা, যি তপস্যা কৰা সেই সকলো মোত অর্পণ কৰা। কিন্তু ইয়াক নকলে যে মই গ্রহণ কৰাৰ পাছত মোৰ উচ্ছিষ্ট লৈ তোমালোকে উটনাটউনি কৰা।

এতিয়া এই শিক্ষা সকলোৱে একত্রিত হৈ চর্চ্চা নকৰিলে সমস্ত ভাৱৰ উৎকর্ষ সাধন হয় কেনেকৈ? ধর্ম্মৰ ব্যক্তিগত কর্ত্তব্যৰ উপৰিও আমাৰ প্রত্যেকৰে সামাজিক কর্ত্তব্য এটি আছে। উভয় কর্ত্তব্য পালনকৰা প্রত্যেকৰে লক্ষ্য হোৱা উচিত।

৬। ধর্ম্ম দৈনিক জীৱনৰ কার্য্য, ই খেলাৰ পুতলা নহয়। শাস্ত্র যদি আমাৰ পথ প্রদর্শক নহয়। ধর্ম্ম যদি আমাৰ ধৰণী নহয়, তেনেহলে সেই শাস্ত্রই বা কিয় সেই ধর্ম্মই বা কিয়? আহক তেনেহলে আমি এই শিক্ষা লাভ কৰিবলৈ সকলোৱে যত্ন পৰ হওঁ। আহক আমি শুদ্ধ চিত্তেৰে প্রার্থনা কৰো:—"হে সর্ব্বশক্তিমান পৰমেশ্বৰ আজি আকৌ আপোনাৰ চৰণত মূৰ দোৱাবলৈ পোৱাত স্তুতি কৰোঁ। যোৱা গোটেই সপ্তাহ যেনেকৈ আমাৰ মাজত থাকি আমাক চলাই নিলে তেনেকৈ এই সপ্তাহতো আমাৰ মাজত থাকি আমাক চলাই নিওক। আমাৰ অন্তৰৰ পৰা অহঙ্কাৰ, গর্ব্ব, অভিমান সকলোকে ধ্বংস কৰোক। যাতে নিতৌ আপোনাৰ মহিমা বুজিব পাৰোঁ। আৰু সেইমতে কার্য্য কৰিব পাৰো তাৰ বাবে আমাক শক্তি আৰু বল দিয়োক। এই দৰে আপোনাৰ চিন্তা আৰু ধ্যান কৰাত আমাৰ অনেক অপৰাধ হব পাৰে, সেই সকলোকে নিজগুণে মর্ষণ কৰি, আপোনাৰ পুত্র বুলি ওচৰ ছপাই লওক। আপুনি চৰাচৰ জগতৰ পিতা, আপুনি পূজ্য, আপুনি গৰীয়ান, তিনিও লোকতে আপোনাৰ সমান কোনো নাই, আপোনাৰ অপ্রতিম প্রভাৱ। এতেকে আপোনাক দণ্ডৱতে বাৰংবাৰ প্রণিপাত কৰো। হে পৱিত্ৰ পিতৃঈশ্বৰ আপুনি "সর্ব্বধর্ম্মান্ পৰিত্যাজ্য মামেকং শৰণং ব্রজ। অহং ত্বাং সর্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ" বুলি অভয় বাণীৰে আহ্বান কৰিব লাগিছে। আমি যেন সেই পুণ্য সঞ্জিৱনী বাণী শুনি নিজকে আপোনাৰ পাছে পাছে ধাবমান কৰিব পাৰো এনে মতি বুদ্ধি আৰু কার্য্য কৰী শক্তি আমাৰ অন্তৰত দিয়োক। এই ক্ষুদ্র প্রার্থনা জগতৰ ঈশ্বৰ ভগৱান শ্রীকৃষ্ণৰ পৱিত্র চৰণত অর্পণ কৰিলোঁ। ওম্ শান্তি ওম্ শান্তি ওম্ শান্তি॥



বেদনাৰ স্মৃতি

গল্প— —শ্রীযুত কৃষ্ণ ভূঞা।

দুর্ব্বল বুকুণৰ মাজতো ইমান আকুল হেপাঁহ। যাতনাত নিষ্প্রভ চকুদুটাৰো ইমান কণৰ নিচা···তাইৰ এষাৰ মাত শুনিবলৈ শ্রুতি শক্তি কমি অহা কাণ দুখনৰো ইমান ব্যাকুলতা···।

"মিঞ্জন হাস্পতালৰ" বোগ শয্যা এখনৰ ওপৰত মই। "টাইফয়েদ ফিভাৰ" লগতে "নিউমোনিয়া'। ঠিকেই নাছিল কেতিয়া মৰণে তাৰ পাষাণ হাতখনেৰে মোক বিষৰ বুকুৰ পৰা ছিঙ্গি লৈ যাব। অনিশ্চিত জীৱনটোৰও আকৌ ইমান মোহ—ইমান আশা।

আশঙ্কাত বুকুণৰ কঁপি উঠে। যদি এয়ে জীৱনৰ শেষ হয়···। মৰিবলৈ জানো ইচ্ছা হয়—ভৰা যৌবন, সুন্দৰ বিশ্ব। মই হে মৰিব লাগিব—তুমি থাকিবা, সি থাকিব সৌ দীঘল গছজোপা চিবিলি চিবিলি পাত মেৰেৰে সৈতে মই মৰাৰ পিছতো ঘুনীয়া হৈ থাকিব নহয়। তেনে মইহে অকলে মৰিব লাগিব, ইমান চেনেহৰ জীৱনটো।

অৱৰ প্রকোপত অজ্ঞান হৈ থাকো। জ্ঞান হলে ভয় লাগে যদি এই অজ্ঞানৰ শেষ নহলহেঁতেন।

"আ' নাছ"—মোৰ ক্ষীণ হাতখন তুলি লৈ তাই নাড়ী ভাল টিপি চায়। 'থাৰ্মম মিটাৰ' টো পৰীক্ষা কৰি তাইৰ মুখখন গহীন হৈ পৰে। তাইৰ চকুদুটিয়ে কয় যেন সেই স্বচ্ছ চিচাৰ 'থাৰমমিটাৰ" টোৰ লগত তাইৰ অন্তৰখনৰো কিবা এটা অব্যক্ত সম্বন্ধ আছে। মিহি মাতেৰে তাই সোধে—"কেনে আছে"?

অৱস্থাই তাইক অতি আপোন কৰি পেলাইছিল, কঁপি থকা হাতদুখনেৰে তাইৰ হাতখন বুকুৰ মাজলৈ টানি আনো। তাইৰ যেন কোমল হাতৰ পৰশত মোৰ তীব্র বেদনা খিনিৰ বহুত উপশম হব। তাই যেন প্রাণেৰে মোৰ যাতনাবিনি বেছি অনুভব কৰে। মোৰ ওচৰত বহে কামোৰনিত ফাটি যাব খোজা কপাল খন পিটিকৈ দিয়ে। বেছ শান্তি পাওঁ—তাইৰ ফালে চাই থকা চকুদুটা মুদ্‌লাই আছে।

ভাবো তাই মোৰ কি হয়। আজি সাত আঠ দিনৰ চিনাকী মাথো তাইৰে সৈতে। ইমান কম সময়ৰ ভিতৰতে তাই মোৰ ইমান আপোন কৈ পৰিল কেনেকৈ, আচৰিত হওঁ। মোৰ জীৱনটোৰ কাৰণে তাইৰ ইমান যত্ন ইমান সেৱা শুশ্রূষা।

"দৰৰ থাৰৰ হল" চকুমেলি চাওঁ "নাছ"। তাইক ভাল লাগে। মনে মনে কওঁ—"দিয়া মোটেল তুমি সবগৰ সুধা আনিছা"

উৎকট গোন্ধৰ দৰৰ পালি গিলি পেলাওঁ।

তাই গাতলোৱা কাপোৰ কানিবোৰ ভালকৈ দি লাহে লাহে কোঠাটোৰ ভিতৰৰ পৰা ওলাই যায়। ইচ্ছা হয় যেন সদায় তাই মোৰ ওচৰতে থাকিব। আঁতৰি গলে মনটো কিবা লাগে। ব্যাধিৰ যাতনাত হাহাকাৰ কৰি উঠো, তাইৰ পৰশত যেন যাতনাৰ বহুত উপশম হয়। ওলাই যাওঁতে তাইৰ পাছফালটো দেখো—যোৱাৰ ভঙ্গিমাত ব্যাকুলতা আহি পৰে—মনটো কিবা হৈ যায়, আবেগত মাতি পেলাওঁ—"চিষ্টাৰ"। তাই ঘুৰি আহি সোধে কিয় মাতিলো—।

নিজেই কব নোৱাৰো কিয় মাতো। তাইক চকুৰ আগত দেখি থাকিলে কিয় ভাল লাগে—আতৰি গলে কিয় বেয়া লাগে মই নিজেই কব নোৱাৰো। তাইক আকৌ কি বুলি কম। তাইৰ মুখৰ ফালে চাই কওঁ—"এনেয়ে মাতিছো"। তাই হাঁহে—অলপ পৰ বৈ ওলাই যায়।

অলপ ভাল হলেই ভাল হলো বুলি ভাবো। আকৌ

অব উঠে। ভাল হোৱাৰ আশাতে নোহোৱাৰ দুখখিনি সহি থাকে।

অকল তায়েই নহয় আক কেইবা জনীও নাৰ্ছে মোৰ পৰিচর্য্যা কৰে। সিইতবো সেই একে সেৱা শুশ্ৰূষা। তথাপি এদিন কলো—"চিষ্টাৰ তোমাৰ পৰিচর্য্যা মোৰ আনত কৈ বেছি ভাল লাগে"। তাই হাঁহিলে—সেইদিনাৰ পৰা বেছি ভাগ তাই মোৰ ওচৰতে থাকে।

দিনটো অলপ ভালেই পাইছিলো। আবেলি অৱৰ প্ৰকোপ খুব বেছি হৈছিল।

"অ'—সৌৱৰ কি? আঃ ইমান ডাঙৰ বিকট আকাৰ কলা কলা মানুহ—যমদূত—যমদূত—মোক নিবলৈ আছিছ—উঃ মোৰ ওচৰলৈ চাপি নাহিবি—আতৰি যা তহঁত—উঃ—উ—উ—,"

"কি হৈছে আপোনাৰ"—তাইৰ পৰশত সাৰ পালো। চিনমিলকৈ টোপনি আহিছিল।

"বেঘা সপোন দেখিছিলো। বাতি কিমান হল চিষ্টাৰ?"

"এটা বাজিছে"

"তোমাৰ 'ডিউটি' কেই বজালৈকে" মই সুধিলো। তাই কলে "আজি 'ফ্ৰেইনজ' নাই, আৱশ্যক হলে ময়ে থাকিম।"

সুধিলো—"তোমাৰ কষ্ট নহবনে?" তাই কলে—"কিহৰ কষ্ট?"

* * * *

অৱ হঠা হল। ব্যাধিয়ে জীৱনৰ ওপৰত মেলি দিয়া ক'লা কাপোৰ খন লাহে লাহে আঁতৰি যাব ধৰিলে। বুজিলো তাইৰ ইচ্ছাই জয়ী হল। ডাক্তৰৰ মুখত সন্তোষৰ হাহি দেখিলো। যদিও অৱ আদি নাছিল তথাপি উঠিবৰ শক্তি হোৱা নাছিল।

সেইদিনা আগছোৱা বতৰ বেছ বদালি আছিল। কিন্তু হঠাতে আকাশত মেঘ উঠিল। অলপ অলপ বতাহ মাৰিবলৈ ধৰিলে। বৰষুণ আহে আহে। সূর্য্যৰ সেই ঢকা চমকা পোহৰ টোৰে বিশ্বখনক নতুন ৰূপ দিলে। লগে লগে মোৰ অন্তৰ খনও যেন সুন্দৰ হৈ পৰিল। কিবা এটা অজান আনন্দই মনটো পুলকিত কৰি পেলালে। দুৱাৰ খন খোলা আছিল। বস্তুত দুবৰীকে দেখিছিলো—সেউজীয়া গছ গছনিৰ ওপৰেৰি সুন্দৰ অসীম নীলিমাৰ ফালে চাই ভাবিছিলো তাৰ লগত মোৰ ক্ষুদ্ৰ অসীম জীৱনটোৰ সম্বন্ধটো।

কিবা দৰকাৰত তাই ভিতৰ সোমাই আহিল। সুন্দৰ তাইৰ মুখখনি মোৰ চকুত আক সুন্দৰ হৈ পৰিছিল॥ চকুযুৰিত যেন দয়াৰ চিন ফুটি উঠিছে।

এতিয়া আক অসহ্য যাতনাৰ আঘাতত চট ফট কৰি তাইক ওচৰত নিচিতাৰোঁ। এতিয়া যেন অন্তৰৰ উচ্ছ্বসিত ভালপোৱা খিনি তাইক বিলাই দিবলৈকে ওচৰত বিচাৰো, দুৰ্ব্বল বুকুখনৰ মাজৰ আবেগ বোৰে তাইৰ ওচৰত প্ৰকাশ বিচাৰে।

নিজৰ কামখিনি শেষ কৰি তাই ওলাই গল। এতিয়া আক আগৰ দৰে তাই মোৰ পৰা আঁতৰি থাকিব খোজে। দৰকাৰ হলেই আহে। মোৰ মনত বৰ আঘাত লাগে। তাইৰ প্ৰাণৰ পৰশেৰে বঞ্চিত সেৱা শুশ্ৰূষাৰ পৰিবৰ্ত্তে মই যে তাইক কিবা এটা দিবলৈ পাগল। কেতিয়াবা ভাবো অৱৰ যন্ত্ৰণা বেছি ভাল, কাৰণ সেই যন্ত্ৰণাই তাইক মোৰ বেছি ওচৰ চপায় দিয়ে।

অতদিন বাহিৰ বিশ্বৰ লগত সমন্ধ নাছিল। মোৰ কোঠাটোৰ ভিতৰত কি কি আছিল তাকে ভালকৈ মন কৰা নাছিলো। পৰিষ্কাৰ পৰিচ্ছন্ন কোঠাটো। বেৰত যীশুক ক্ৰুছত দিয়া এখন ফটো। মুখৰ পোনে পোনে দেখিলো এবাৰ বাণী সুন্দৰ কৈ আইনাৰ ফ্ৰেমত বন্ধাই থোৱা—"যীশুক বিশ্বাস কৰা শান্তি পাবা' হঠাৎ মনত পৰিল তাই যে খৃষ্টিয়ান আক মই হিন্দু। মনত আঘাত লাগিল। সিয়ানখিনি বিভিন্নতা মোৰ কাৰণে তুচ্ছ হলেও সমাজৰ ভয়ঙ্কৰ বেশটোলৈ মনত পৰিল। মনটো সমাজৰ বিপক্ষে বিদ্ৰোহী হৈ উঠিল। আকৌ সেই আধৰ শাৰীত চকু পৰিল—ভগবান যীশুক বিশ্বাস কৰা, তাত ভগবান শব্দটো নাছিল, মোৰ মনৰ পৰা ওলাই গৈ তাত ভিলিকি উঠিল "ভগবান যীশুক বিশ্বাস কৰা" শান্তি পালো। মোৰ তৃপ্তি হল—সমাজৰ নহল।

হাত মেলিলেই পোৱা ঠাইতে 'কলিং বেলৰ চুইছটো' হাৎ খনে লাহে লাহে গৈ তাত টিপা মাৰিব খোজে, নোৱাৰো আকৌ চপাই আনো। এই মাত্ৰ দহ পোন্ধৰ মিনিটৰ আগতে ওলাই গৈছেহে আকৌ কি ঘুলি মাতো। এই সামান্য কামটো কৰা নকৰা নির্ভৰ কৰিছে মোৰ ইচ্ছাৰ ওপৰত। তথাপি তাকে কৰিবলৈ লাজবে নে ভাবেনে, কিহবাৰ ভাববোৰে দেখোন বাধা দিয়ে। হতাশ হৈ চুইছটোৰ ফালে চাই ভাবো তাৰ লগত তাইৰ সম্বন্ধটো। "চুইছটো কিমান দৰৱী সি—মোৰ প্ৰাণৰ কথাখিনি যেন সি বুজে—সি যেন মোৰ হিয়াৰ কথাখিনি তাইৰ আগত প্ৰকাশ কৰি দিবলৈ ব্যাকুল।

ঘৰীটোৰ টক্ টক্ শব্দটো হঠাতে কাণত পৰে। ঘড়ীটোলৈ চাওঁ। চাবি বাজিবলৈ আধা ঘণ্টা। আও আধাঘণ্টা ত্ৰিশ মিনিট আছে। চাবি বজাত হে তাই মোলৈ টাফিন আনিব।—ইঃ ঘড়ীটো ইমান লাহে লাহে চলিছে—অত পৰে ছয় মিনিট হে গৈছে। এই ঘড়ী তবি বোৰ যদি নেথাকিলহেতেন। মিছাকৈয়ে ধৰা বন্ধা নিয়ম কিছুমানেৰে মুক্ত জীৱনটো বান্ধি পেলাবলৈকে মানহৰ এইবোৰ মেটৰিয়েলিষ্টিক সভ্যতা। মিনিটৰ কাটাভালৰ ফালে চাই ভাবো, 'ঘোৱা হেৰা কাটা তুমি সোনকালে বাৰৰ ওচৰ চাপি ঘোৱাচোন"—চেঃ অতপৰ বাৰ মিনিট হে গৈছে। চাই থাকিলে যেন সময়টো নেযাওেই। এনেকৈয়ে তাইৰ আগমন প্ৰতীক্ষা কৰি ব্যাকুল হৈ থাকো। কিছুপৰৰ পিছত আকৌ ঘড়ীটোত চকু পৰে গৈ—আক আঠ মিনিট মাত্ৰ আছে—আহিব তেনে এতিয়া। বুকুখন অলপ কঁপি উঠে। হেৰা ঘড়ী বথাচোন অলপ লাহে কাহে চলা তাই অলপ পিছতো আহক। এতিয়াই আহিলে জানোছা মোৰ সপোন ভাগি যায়।

তাই আহি টিফিন দি যায় হি। সামান্য দুই চাবি আৰাৰ আৱশ্যকীয় কথা কৈ তাই গুচি যায়। মোৰ বুকুভৰা কথা বুকুতে পোত খাই থাকে। কবৰ সাহ নহয়। ঘোৱাৰ পিছত হে নিজৰ ওপৰত ঘং উঠে।

—চিঃ মই পাগল হলোনেকি কেনেকুৱা কথাবোৰ ভাবিছো। বিছনাৰ পৰা উঠিবৰে শক্তি হোৱাই নাই, কল্পনাতে ভাল হৈ তাইক ইমান আপোন কৰি পেলালো তাইক মোৰ কবি পেলালো.....অদৃষ্টৰ ওপৰত নির্ভৰ কৰো, তথাপি ভাবৰ বন্ধীন ছবি বোৰ ইমান সুন্দৰ।

* * * *

বিশেষ আক একো নহল। এনেকৈ নিজৰ ভাববোৰত বহণ দি থাকোতেই সুস্থ হৈ আহিলো। সেই দিনা ঘৰলৈ আহিবলৈ ওলালো। আৰ্ত্তৰ হাহাকাৰ কৰুণ উচ্ছাসেৰে মুখৰিত সেই হাস্পতালটোৰ ক্ষুদ্ৰ কোঠাটোৰ পৰা বাহিৰৰ মুকলি বিশ্বৰ প্ৰাণভৰা হাঁহিৰ মাজলৈ মুহি আহিবলৈ আনন্দ লাগিছিল। তথাপি যেন কিবা এটা এৰি থৈ আহিব লগা হোৱাত বিষাদে সেই আনন্দ বস্তুত কমাই পেলাইছিল। গহীন হাস্পতালটোৰ ভ্যাৰাহ ভিতৰ খনৰ মাজত পোৱা কিবা এটাই কৈছিল—নেযাবা ইয়াতো শান্তি আছে।

সকলোবে পৰা বিদায় ললোঁ। ভাবিছিলো তাইৰ পৰা বিদায় লওঁতে সকলো কথা ঘুলি কম। তাই আহিল। উচ্ছসিত আবেগবোৰ সাৱধানে চেপামাৰি ৰাখি কলোঁ—"যাওঁ তেনে এতিয়া"

"ভাল থাক যকৈয়ে" তাই কলে। মোৰ চকুকেইটাই তাইৰ অন্তৰখন ভেদকৰি চাব খুজিছিল মোৰ কাৰণে তাতনো কি পৰিবৰ্ত্তন হৈছিল। বুজিলো যথেষ্ট বেজাৰ পাইছে—কৰ খুজিছিলো তথাপি নোৱাৰিলো। মনটোৱে বিপক্ষে বোৰ বিদ্ৰোহ কৰি ঘৰলৈ মুহি আহিলোঁ।

* * * *

ভৰিৰ পৰা মুৰলৈকে দেখা আয়না খনৰ আগত থিয় হলো।

আগৰ যৌৱনৰ শ্ৰী ফুটি উঠিছিল। সৰি যোৱা চুলি কোছা আকৌ সুন্দৰ হৈ গজি আহিছিল চকুদুটাৰে আগৰ জ্যোতি ফিৰি আহিছিল। হঠাতে যেন আয়না খনৰ পৰা মোৰ সেই ৰূপটো আঁতৰি তাৰ ঠাইত জিলিকি উঠিল 'মিশ্চন হাস্পতালৰ' সেই জীর্ণ শীর্ণ মলিন বিবর্ণ

চেহেৰাটো! গছফালে কোনোবা আহি থিয় হল—কোন?—চিঞাৰ—তাই শুধিলে—"কেনে আছে"।

ভাবিলো নকৈ ভুল কৰিলো। অতদিন অপ্ৰকাশৰ যাতনা যিনি মিঠাকৈয়ে ভুগিলো। তাই 'মোক ভাল পায়—নহলে ইমান যত্ন—ইমান স্নেহ—ইমান পৰিচৰ্য্যা কিহৰ কাৰণে।

আবেলি মিঞানলৈ গলো। আটায়ে মোক সেই অৱস্থাত পাই আনন্দ প্ৰকাশ কৰিলে। তাইৰ কথা শুধিলত তিনি নম্বৰ কোঠালে যাবলৈ কলে।

গৈ যি দেখিলো...। মোৰ অন্তৰৰ মনৰ কল্পনাৰ ধুনীয়া ঘৰটো ভৱ ভৱ কৈ ভাগি পৰিল। বুকুৰ মাজৰ মানসী প্ৰিয়াৰ ৰূপটো নাইকীয়া কৰিলে। তাৰ ঠাইত দেৱী প্ৰতিমা পৱিত্ৰ ৰূপটো বিৰাজ কৰিলে।

দেখিলো তাই আগেয়ে মোৰ ওচৰত থকাৰ দৰেই কোনোবা এটা মোৰে নিচিনা অভাগাৰ ওচৰত বহি কিবা এটা একান্ত মনে পৰীক্ষা কৰিছে। বেমাৰীটোৱে চিঞঁৰি উঠিল—তাইৰ মুখখন কলা পৰি গল। আঙুলুলৈকে তাৰ মৃৱত পট এছটা বান্ধি দি তাই ওচৰৰ চকী এখনত বহি তাৰ ফালে চাবলৈ ধৰিলে।

বুজিলো সকলো আৰ্ত্তৰ সেৱাত নিজক বিলাই দিয়েই তাই তাইৰ জীৱনটো জীৱনৰ দৰে উপভোগ কৰিছে। মই ভবা প্ৰেমতকৈও তাইৰ প্ৰেম বেছি মহৎ—বেছি উদাৰ। আমনি কৰিবলৈ সাহ নহল। তাই কৰ নোৱাৰা কৈয়ে বাৰন্দাৰ পৰা মনে মনে ঘৰলৈ ঘুৰি আহিলো। এতিয়াও আছে সেই বেদনাৰ স্মৃতিবোৰ।

দুদিনৰ ভ্ৰমণ

—শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস

"গাতে লাগি থকা পাহাৰী সকল অনাদি কালৰ আমাৰ ভাই
আন ধৰ্ম্ম লই কিয় আজি হায় আমাৰ পৰাই আঁতৰি যায়?"

"আৱাহন"—চিত্ৰদাস

বশিষ্ঠ গঙ্গা দীখৌ নৈৰ পাৰত মোৰ সক পঁজাটি। দীখৌৰ পানীত নিতৌ গা ধোঁও। নৈৰ পাৰৰ পৰা দক্ষিণ ফাললৈ চাই পঠিয়ালে ভাল বতৰত নগা পাহাৰখন সুন্দৰকৈ দেখা পাওঁ। এই পাহাৰৰ পৰাই দীখৌ নৈ ওলাইছে আৰু ইয়েই নগা বিলাকৰ বাস-স্থান। নগা পাহাৰ খনক শিৱসাগৰ জিলাৰ দক্ষিণ ফালে থকা এটা ওখ গড় বা ধাপ বুলিও কব পাৰি। আমি নৰ্ম্মাল স্কুলত পঢ়া কালত জাৰ কালি যোৰহাট নগৰৰ গড় তলে বাঙ্-তলে ৰাতি পৰি থকা অনেক নগা
প্ৰথম কথা মানুহ দেখিছিলো। এওঁলোক কাম কৰাত ঢিলা কিন্তু জাৰ জহে যেন একোকে কৰিব নোৱাৰে।

পুহ মাহৰ জাৰত এখন মাত্ৰ সামান্য কাপোৰেৰে গছৰ তলত পৰি থকা দেখা পালে মনত প্ৰশ্ন হয়—"এওঁলোক নো কোন ৰাজ্যৰ প্ৰাণী?" এই বিলাক কাৰণেই নগা বিলাকৰ বিষয়ে কিছু জানিবৰ ইচ্ছা আগৰে পৰা আছিল। সুবিধা পাই তাকে কামত পৰিণত কৰা হল। ই মোৰ ভ্ৰমণৰ চমু টোকাহে, জাতিতত্ত্ব নহয়। ইয়াত মই নগাৰ বিষয়ে সামান্য হিছাপেহে উল্লেখ কৰিব পাৰিছোঁ।

আমাৰ কেতিয়াবা কামত আহিব পাৰে বুলিয়েই ভ্ৰমণকাৰী কেনে হব লাগে, তেওঁৰ লগত কি কি বস্তু থকা উচিত, ইয়াত টোকা কৰি দিয়া হল :—

(ক) লগৰীয়া

এজন বা দুজন মনে-চিতে-মিলা লগৰীয়া হলে ভাল। মনত ৰাখিব লাগে, যেন সেই ভ্ৰমণপৰা শিক্ষা লাভ কৰাত লগৰীয়াৰ পৰ কোনো বিঘিনি নহয়। লগৰীয়াৰ সংখ্যা বেছি হলে সঁচাকৈয়ে অনেক অসুবিধা আছে।

(খ) ভ্ৰমণকাৰী কেনে হবলাগে :—

১। সত্যাম্বেষী ২। সূক্ষ্ম দৰ্শী ৩। অল্প ভাষী ৪। কষ্ট সহিষ্ণু ৫। সৰল ভাষাত বহা প্ৰশ্ন কৰিব পৰা ৬। চৰিত্ৰবান ৭। নানা দেশ, নানা ঠাই শিক্ষা লাভ কৰিবলৈ প্ৰবল ইচ্ছুক ৮। যুৱ কৰ্ম্ম পটু—প্ৰনট।

যি প্ৰকৃত অনুসন্ধিৎসু বা ভাল ভ্ৰমণকাৰী, তেওঁৰ মনত জাতিভেদ, অস্পৃশ্যতা আদিৰ ভাৱ থাকিব নোৱাৰে। তেওঁ সদায় সত্য পথৰ পথিক। কোনো এটা জাতিৰ বিষয়ে অনুসন্ধান কৰি থাকোঁতেই তেওঁ অস্পৃশ্যতা নাশৰ অন্যতম মহোষধ। এই বিষয়ে ১১।১০।৩৩ তাৰিখ বুধবাৰে শ্ৰদ্ধাস্পদ অধ্যাপক শ্ৰীযুত সূর্য্যকুমাৰ ভূঞা এম-এ, বি-এল ডাঙৰীয়ই শিৱসাগৰ ৰুদ্ধঘৰত এটা সুদীৰ্ঘ সাৰ গৰ্ভ বক্তৃতা দিছিল।

ভ্ৰমণকাৰী সকলে যিমান পাৰে সিমান খোজ কাঢ়ি যুবা ভাল। ঘৰৰ ঠিক মতে চলিব নোৱাৰিলেও যুবা কালত ঘোৰা-ঘোৰা-শোৱা, শৌচ কৰা, গা-ধোৱা আদিত



নগাৰ ঘৰ আৰু চাং

যিমান পৰা যায় নিয়মীয়া হব লাগে। প্ৰবাসত গৈ বেমাৰত পৰিব লাগিলে কোনো এঘৰ মানুহৰ বোজাৰ নিচিনাহে হব লাগিব—এই কথা মনত ৰাখিব লাগে। আনে কোৱা সজ-অসজ কথাৰ মাজৰ পৰা সঘ যিনি বাছি উলিয়াই তাক নিজৰ জীৱনত ঘটাবলৈ শিকিব লাগে। আনৰ বিপক্ষে একাষাৰো কব নালাগে। যেয়ে যি কথা কয়, তাক মনোযোগেৰে শুনি পিছত টোকা কৰি লব লাগে। কোন সময়ত কৈল যোৱা হৈছিল, কাৰ লগত কথা পতা হৈছিল, কি কি বস্তু চোৱা হল, তাকো সবিশেষ তিথি যোৱা উঁচত। যি ঠাইতৈলে যোৱা হয়, তাৰ অধিবাসী ধনী-নিৰ্ধন, সক ডাঙৰ সকলো মানুহৰে খোৱা-লোৱা, আচাৰ-ব্যাহাৰ, সামাজিক ৰীতিনীতি, উৎসৱ, ঘৰ-দুৱাৰ আদি সজা বিষয়ে ভালকৈ চাই আহিব লাগে। সেই ঠাইৰ জনা বুজা লোক সকলৰ লগত কথা হোৱা উচিত। কোনো সমাজ বা জাতিৰ ওপৰত ভুলতেও ভুল মন্তব্য প্ৰকাশ কৰা উচিত নহয়।

ভ্ৰমণ কালত ক'তো থাকিবলৈ আশ্ৰয় বা ঘৰ দুৱাৰ নাপালেও ৰাতি গছৰ তলত বা নীল আকাশৰ তাত পৰি থাকিম,—মতে ৰাতি, ততে কাতি—মাটি পাম, বতাহ পাম, পানী পাম—পৰমেশ্বৰক সদায় সাৰথি স্বৰূপে পাম, তেনে স্থলত মোৰ কিহৰ অভাৱ কিহলৈ ভয়?—এনে পৱিত্ৰ ভাৱ আৰু মনোবল লৈহে দুদিনৈলে যাব লাগে।

(গ) লগত থাকিব লগা বস্তু

১। এডাল মজবুত লাঠি ২। এটা ছাতি ৩। এখন ধুতি, এখন গামোছা, এখন কমল, আৰু বিছনাৰ চাদৰ ৪। ছুৰী কটাৰী এখন ৫। এটা দিয়াছলাই ৬। এজোৰ সক বাটি-ঘটি ৭। এটা কেৰেবা ৮। টোকা বহী আৰু কাকত পেন্সিল ৯। আজৰি সময়ত পঢ়িবৰ কাৰণে এখনমান ভাল কিতাপ ১০। অচিনাকি ঠাইলৈ যাবলৈ যাবলৈ হলে জনালোকৰ হুহুৱাই অঁকাই তাৰ বাট-ঘাট আৰু পুৰণি স্মৃতি চিহ্নবোৰৰ এখন মেপ নিব পাৰিলে ভাল। ১১। স্কেল আৰু ফিটা ১২। হঠাৎ হবপদা বেমাৰ আদি কাৰণে সামান্য ৰকমে হলেও ঔষধ পাতি নিব লাগে।

ইমানতে এইখিনৰ কথা এৰি আমাৰ আলোচ্য বিষয়লৈ আহিলোঁ।

বহুত দিন আগলেপৰা শিৱসাগৰ বেজবৰুৱা হাই স্কুলৰ ছাত্ৰ শ্ৰীমান লক্ষ্মীপ্ৰসাদ বৰঠাকুৰে মোক তেওঁলোকৰ আচল ঘৰৰ ওচৰত (কুজী বালি) থকা
প্ৰথম দিনৰ যাত্ৰা নগা গাৰঁৰ কথা কৈ আছিল। পুজাৰ বন্ধা পাই তেওঁক লগত লৈ নগাগাওঁ অভিমুখে ২৩।১০।৩৪ তাৰিখ শনিবাৰে ৰাতি পুৱা ন বজাৰ গাৰীত

শিৱসাগৰ টাউন ষ্টেছনছপৰা কুজী বালী ষ্টেছনলৈ গলোঁ। থাৰ্ড ক্লাছৰ টিকট নোহোৱা বাবে ইণ্টাৰ ক্লাছৰ টিকট এটাকেই দিলে। টিকটৰ দাম ৵৩ পাই। ইয়াত মোৰ এটা পইছা বেছি খৰচ হল। মোৰ লোৱা টিকটৰ নম্বৰ ০২০৩ আৰু মই বহা দাবাৰ ৮২৭২ ; অহা টিকটৰ নম্বৰ ১৩২৪ আৰু দাবাৰ নম্বৰ ৬৬৪ আছিল। ঘূৰি আহোঁতে ৵০ অনাৰে থাৰ্ড ক্লাছৰ টিকট কৰি আহিলোঁ।

ভ্ৰমণ কালত ৰেলত ভাল লগ লাগে। ভ্ৰমণটো অতি সুখদায়ক হৈ পৰে। সিদিনা মই কম সময়ৰ কাৰণে হলেও বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ মহোদয়ৰ শান্তি নিকেতনৰ ছাত্ৰ স্নেহাস্পদ শ্ৰীযুত মোক্ষদাপ্ৰসাদ বৰুৱাক লগ পোৱাত মোৰ বৰ ভাল লাগিল। সেই কম সময়ৰ ভিতৰতেই তেওঁ মোক পশ্চিম ভাৰতৰ ছাত্ৰৰ বিদ্যা-বুদ্ধি-জ্ঞান আৰু শান্তি নিকেতনৰ শিক্ষা আৰু সুনীতি বিষয়ক কথা কেইটামান কলে।

অলপ সময়ৰ পাছত গৈ শ্ৰীমান লক্ষ্মীপ্ৰসাদ বৰ ঠাকুৰৰ লগত কুজী বালি ষ্টেছনত নামিলোঁগৈ। আমাৰ দেশত ষ্টেছনৰ নাম, আৰু তাত থকা নোটিছ আদিত বৰ বেছি ৰকমে ভাষা আৰু বানান বিভ্ৰাট হোৱা দেখা যায়। কুজী বালি ষ্টেছনৰ চাইন বোৰ্ডত লিখা আছে—"কুজি বালী" আৰু লেম্প পোষ্টত লিখা আছে—"কুজি বালি।" কোনটো বানান শুদ্ধ? আকৌ শিল গুৰি জংছনৰ গোলাপ দোকানীয়ে পাৰিচালিত কৰা চাহৰ দোকানৰ পঞ্চ ভাষা শোভিত চাইন বোৰ্ডত থকা অসমীয়া ভাষা চাওক :—

(১) নাথাকে যিহত মুঠে মাদকতা দোষ
চাহ খালে পায়ে কিন্তু জীৱনত সন্তোষ"

(২) "এই (চাহে) শৰীৰ আৰু মনৰ ক্লান্ত দূৰ কৰে।"

(৩) "এইয়ে (চাহ) কেৱল গ্ৰীষ্মৰ ঠাণ্ডা পি খোৱা বস্তু"

মই কথা কেই শৰীৰ বানান লৰচৰ কৰা নাই এনে ধৰণৰ কথা ঠায়ে ঠায়ে আৰু অনেক ওলাব, ইয়াত মই নমুনাহে দিলোঁ। আমাৰ বোধেৰে অসম দেশৰ কথা শুদ্ধ অসমীয়াত লিখা নিতান্ত উচিত। ৰেলৱেৰ কৰ্ত্তৃপক্ষই এনে বোৰ কথা জানা অসমীয়াৰ মানুহৰ হতুৱাই লিখা উচিত।

শ্ৰীমান লক্ষ্মী প্ৰসাদৰ ঘৰ ষ্টেছনৰ ওচৰত দীঘৌৰ পাৰত। দুয়োগৈ তেওঁলোকৰ ঘৰত উপস্থিত হলোঁগৈ। কুজী বালি (হাইচৰা) ঠাই ডোখৰ ভাল। ইয়াত কেইবা ঘৰো সম্ভ্ৰান্ত লোকৰ বসতি। ডাক ঘৰ নাট্যমন্দিৰ অসমীয়া মজলীয়া স্কুল, ভাগীৰথী বালিকা স্কুল, আদি আছে। ইয়াত হেনো আগেয়ে হাঁহ চৰিছিল। সেই কাৰণে ঠাই ডোখৰৰ আন নাম—হাঁহচৰা। শ্ৰীমান লক্ষ্মী প্ৰসাদৰ ককায়েক শ্ৰীযুত দুৰ্গা প্ৰসাদ বৰ ঠাকুৰ বি-এল মহাশয়ৰ লগত অলপ কথা পাতি চাহ পানী গ্ৰহণ কৰি দুয়ো আমাৰ ভ্ৰমণৰ ঠাইলৈ যাত্ৰা কৰিলোঁ। শ্ৰীযুত বৰঠাকুৰ মহাশয়ে এই ভ্ৰমণৰ বিষয়ে অনেক দিহা ভৰসা দিছিল।

হাতৰ লাঠি, মূৰত মাতি, গাত চেলেং আৰু পৰমেশ্বৰক বাটৰ সাৰথি কৰি লৈ শিমলু গুৰিৰ পিনে খোজ ললোঁ। অলপ দূৰ গৈয়ে বাটত এজন ডেকা কানীয়া আৰু তাৰ মাকক দেখা পালোঁ। কানি খাই এনে বিশ্ৰী হোৱা ডেকা কানীয়া মই আগেয়ে কতো দেখা নাই। এ সময়ত নগাওঁ নগৰতো কণকলি কানীয়া নামৰ এজন অদ্ভুত চেহেৰাৰ কানীয়া দেখিছিলোঁ ; কিন্তু তাতোকৈ এই জন কানীয়াৰ চেহেৰা অতি অদ্ভুত দেখিলোঁ। ৰাস্তাৰ কাষৰ হাবিৰ মাজত সিহঁত থাকে। মাক পুতেকৰ ভিতৰত হেনো কাজিয়াও হৈছে। সিহঁত যিহত থাকে, তাৰ ঘৰতো বুলিব নোৱাৰি। এই কুৰি শতিকাৰ বনৰীয়া গাহৰিৰ বাহাও সিহঁতৰ কচুৱনিৰ মাজৰ বাহাতকৈ ভাল হব। সিহঁতৰ ওচৰৰ আন কোনো মানুহৰ ঘৰ দুৱাৰি নাই। মোৰ বোধেৰে কানীয়া বিলাকক মানুহৰ শাৰীত গণ্য কৰাটো এক ৰকম ভুল হব ; কানিয়ে মানুহৰ আন এক প্ৰকাৰ জন্তু কৰি তোলে।

সাত মাইলৰ খুটি পাৰ হৈ গৈ বাওঁ হাতে কোচগাৱঁৰ ওচৰত এটা ৰাস্তা পোৱা যায় ; তাৰ নাম হাৰি পৰা আলি। সেই আলিৰে সোমাই গৈ ৰেল লাইন পাৰ হৈ গলেই নগা গাওঁ পোৱা যায়।

নগাগাওঁ

আমি প্ৰায় ১১মান বজাত গাওঁ পাই নাম-ঘৰতেই

বহিলোঁগৈ। শ্ৰীমান লক্ষ্মী প্ৰসাদক তাৰ কিছুমান মানুহে চিনি যায়। সেই বাবে আমাৰ কথা বতৰা হোৱাত বেছি সুবিধা হল। এই গাৱঁত ৩০।৪০ ঘৰ মান মানুহ আছে।

নাম ঘৰত শ্ৰীকিয়াংসিং নামৰ এজন নগা মানুহক লগ পালোঁ। তেওঁ হাতত দা আৰু খাং লৈ পথাৰলৈ যাবলৈ ওলাই আহিছিল। মই যিখিনি কথা বহীত টোকা কৰি নিছিলোঁ, তাৰে বহুত কথা তেওঁৰ পৰা আদায় কৰা হ'ল। মানুহ জনে প্ৰায়বোৰ কথাৰেই হাহি মুখে উত্তৰ দিছিল। তেওঁ লোকৰ গাৱঁৰ গাওঁ বুঢ়া জন নাগা জাতীয় নহয়। মই তেওঁক সুধিলোঁ—"তোমালোকে নগাৰ ভিতৰতেই গাওঁ বুঢ়া পাতি নোলোৱা কিয়?" তেওঁ কলে—"আমি আজি কেইবা পুৰুষো অসমতেই আছোঁ, আমিও অসমীয়া হৈছোঁ, আমাক নো নগা গাওঁ বুঢ়া লাগিছে কেলেই?" এই কথাষাৰ শুনি বৰ ভাল লাগিল।

নাম-ঘৰটোৰ চাল গৰুৰ গাৰীৰ নিচিনা আগৰ ফাললৈ জোঙা। জোঙৰ দীঘ ১০½ফুট। গোটেই ঘৰটোৰ দীঘ ৫০ফুট আৰু পুতল ২৯ ফুট পালোঁ। ঘৰৰ চালৰ চাৰিও ফালে খুব ঘন ঘনকৈ একুট মান দীঘল পাতল কাঠি কিছুমান একে সমানে সুন্দৰকৈ আৰি থোৱা আছে। সেই বোৰক 'মা' বোলে। তাত বতাহ লাগিলে এটা ভাল শব্দ হয়। কোনো কোনো অসমীয়া নাম ঘৰত এই দৰে টিন পাতত নানা ৰকমৰ ফুল কাটি দিয়া দেখা যায়। গোটেই গাৱঁৰ অবিবাহিত ডেকা বিলাক ৰাতি ঘৰত খাই বৈ আহি এই নাম ঘৰতেই শুই থাকে।

নামঘৰ বা মৰং

এইটো হেনো তেওঁলোকৰ পুৰণি দস্তুৰ। অবিবাহিত ডেকা ৰাতি ঘৰত শোৱাটো হেনো লাজৰ কথা। পৃথিবীৰ কোন সমাজ, কোন জাতিৰ মাজত কি দই দস্তুৰ চলি আছে তাক ধৰিব পৰাই টান।

নাম ঘৰৰ ভিতৰত কোনো মূৰ্ত্তি নাই! তাত কোনো ভাওনা বা তিথি মহোৎসৱ আদিও নহয়। এই গাৱঁৰ মানুহবিলাক ম'ৰা মৰা সত্ৰৰ গোসাই প্ৰভু গাৱঁলৈ আহিলে নাম ঘৰতে থাকে বা গাৱঁৰ মানুহ বিলাকে বেলেগে বাহৰ কৰি দিয়ে। তেওঁলোকে হেনো শৰণ লোৱাৰ আগতে গোসাই প্ৰভুৰ আগত কৈ গৈছে যে—শৰণ ললেও তেওঁলোকে কুকুৰা গাহৰি আৰু লাওপানী এৰিব নোৱাৰে। শঙ্কৰদেৱ আৰু মাধৱ দেৱৰ তিথিৰ সময়ত হেনো তেওঁলোকে গোসাই ঘৰত খৰচ পাতি দিয়ে। সুবিধা পালে এই বোৰ বিষয়ে গোসাই প্ৰভুৰ লগত আলোচনা কৰিবৰ মন থাকিল।



নগাৰ নাম-ঘৰ আৰু নগা

নাম ঘৰৰ ভিতৰত হোলোঙা নাৱৰ নিচিনা টুংখুং নামৰ এটা কাঠৰ বজনা আছে। ই হেনো ভোমোৰা কাঠৰ। টুংখুঙৰ দীঘ ২৮½ ফুট, মাজৰ ঘেৰ ৫ফুট ; তাৰে ভিতৰত মুখ খন ৯½ ইঞ্চি বহল। এই বজনা টো বহাগ বিহুৰ সময়ত বজায়. তাৰ শব্দ হেনো ২।৩ মাইল দূৰৰ পৰা শুনি। তাক আন সময়ত বজাব নাপায়। আন অ-নগা মানুহক বজাবলৈ নিদিয়ে, ছুবলৈ হলে দিয়ে। নাম ঘৰৰ ওচৰতে এখন বাহৰ চাং। তাত জহৰ দিনত ডেকা লৰা বিলাকে জুৰ লয়। কিছু মান মানুহৰ চোতালতো বাহৰ চাং আছে।

নগা পাহাৰৰ সদৰ ঠাই কহিমাত আমি নগাৰ চাং ঘৰ দেখিছোঁ। সেইবোৰ মানুহৰ ঘৰৰ লগত এই গাৱৰ মানুহৰ ঘৰৰ প্ৰায় মিল নাই। এই গাৱঁৰ মানুহ বিলাকে আমি অসমীয়া মানুহৰ দৰে মাটিতেই ঘৰ সাজিছে।

ঘৰ-বাৰী

সকলো মানুহৰেই ঘৰৰ মূধেদি বাট কটা। ঘৰৰ ভিতৰত বেৰ আছে, মিৰিবিলাকৰ দৰে ভিতৰখন খোলা নহয়। আমি দুয়ো কেইবা ঘৰো

মানুহৰ ঘৰলৈ গৈছিলোঁ। আমাক ঘৰৰ তুলত আদৰ সাদৰ কৰি বহিবলৈ দিছিল। প্ৰতিঘৰ মানুহৰ দুৱাৰ মুখৰ ওচৰৰ বেৰ খনত কিছুমান পহুৰ মুৰ হাড় আৰু চৰাইৰ ঠোঁট আদি আঁৰি থোৱা আছে। প্ৰতি বছৰে বহাগ জেঠ মাহত তেওঁলোকে হেনো সকলোৱে নিলি পহু চিকাৰ কৰিবলৈ যায়। এই চিকাৰৰ প্ৰধান অস্ত্ৰ হৈছে নগা যাঠি। নগা বিলাকে এই নগা যাঠি ৰৰ কৌশল আৰু মেহনতেৰে কৰে। চিকাৰলৈ যোৱাৰ আগতে তেওঁলোকে সেইবোৰ শিং মুৰ হাড় আদিবে হেনো এটা উৎসৰ কৰে। এই উৎসৰ পালন কৰিলে বোলে বেছিকৈ চিকাৰ হয়। এই চিকাৰ সম্পৰ্কে কওঁতে শ্ৰীপাং চুং নামৰ মানুহ এজনে কলে—"মনিহৰ লগত ঈশ্বৰেও সহায় হলেহে সকলো কামেই সফল হয়।"

মানুহবিলাকৰ আৰ্থিক অৱস্থা ভাল নহয় যদিও অনেকৰ গৰুৰ গোহালি, তামোল-পাণৰ বাৰী আৰু শাক পাচলিৰ খেতি আছে। ছটামান টিনৰ ঘৰো চকুত পৰিল। ঘৰবোৰ চাপৰ, খিড়িকী নাই। বাৰীৰ চাৰিওফালে জেওৰা দিয়া আছে। ধান খেতি প্ৰায় বোৰ মানুহৰেই আছে। এওঁলোকে এবিধ কচু খেতি কৰে তাক নগা কচু বোলে। এজনী বুঢ়ীয়ে মোক মৰম কৰি কেই ডোখৰ মান নগা-কচু দিছিল। বাৰীত পাণ আছে কিন্তু নগা-পাণ নাই। নগা-চাবিৰ কথা সোধাত কবকে নোৱাৰিলে। মাইকী বিলাকে বোৱা-কটা কৰিবলৈ নাজানে বুলি কলে। মাইকীয়ে বেছি কাম কৰে।

পৰ্ব্বতীয়া বা পৰ্ব্বতৰ ওচৰে-পাজৰে থকা প্ৰায় সকলো জাতিৰ মানুহৰ মাতেই কিছু সৰু। আন আন মানুহতকৈ কথাও কিছু কম কয় যেন লাগে। এই গাৰুঁৰ লৰা, ডেকা, বুঢ়া সকলোৰে কম-বেছি পৰিমাণে টিকনি আছে। তামোল বেছি খায়। সেইবাবেই দাঁতবোৰ কলা। মতাবোৰে আন আন পৰ্ব্বতীয়া নগাৰ দৰেই লোটচ মাৰে। এখন কাপোৰ আঠুৰ ওপৰত পিন্ধে; আঠুৰ তলৰে পিন্ধিব নাপায় বোলে। মানুহ বোৰ শকত আৰত। নাকবোৰ কিছু চেপেটা। গাৰুঁত লৰা ছোৱালীৰ কোঁচাল মুক্তনিলো।

আচাৰ-ব্যবহাৰ

মাইকী কিছুমানে আমাৰ কথা বুজে। এজনী অতি কতীয়া শকত মাইকী দেখা পালোঁ। পৰ্ব্বতীয়া জাতিবিলাকৰ কোন জাতিৰ মাইকীয়ে কেনে অলঙ্কাৰ পিন্ধে তাক ধৰিবই পৰা টান। ইয়াত দেখিলোঁ, কিছুমান মাইকীয়ে কাণত দীঘলকৈ কিবা এবিধ পিন্ধিছে।

এওঁলোকৰ বিয়াৰ সময়ত ছোৱালীহে দৰাৰ ঘৰলৈ পতি বৰণ কৰিবলৈ আহে। ছোৱালীৰ লগত নিবোৱা মানুহ আহে, তেওঁলোকক দৰা ঘৰৰ মানুহে আদৰ সাদৰ কৰি নি সি পাবে তাকে ঘুৱায়।

এওঁলোকৰ কিছুমানে ঢেকীত আৰু কিছুমানে উৰণত ধান বান্ধে। ঢেকী আমাৰ দৰেই কিন্তু উলাল হলে তেনে নহয়। এওঁলোকে বাৰ মছলা দিয়া ভঙ্গা বস্ত্ৰ বেৰি নাপায়

আমি ফুৰি ফুৰি গৈ শ্ৰীআণ্ডাস্ ভকত নামৰ এজন বুঢ়াৰ ঘৰত উপস্থিত হলোঁ গৈ। গাৰুৰ ভিতৰত এৰেহে বেছি বুঢ়া আৰু এৰেহেতে মাত্ৰ কাপোৰ দিন্ধে এওঁক একেবাৰে ভৈয়ামৰ অসমীয়া মানুহ যেন দেখি এই গাৰুৰ মানুহবিলাক পৰ্ব্বতৰ পৰা আহিবৰ বহুত দিন হল যদিও এওঁ হেনো ১৮৯৭ খৃষ্টাব্দৰ ১২ জুনত হোৱা ভূমিকম্পৰ পাছতহে ইয়ালৈ আহিছে। ভূমিকম্পৰ সময়ত এওঁ হেনো নগা পাহাৰতেই আছিল, ভূমিকম্প হবৰ সময়ত এওঁ দুই হাতে দুজন আৰু বোকোচাত এজন ভাইকক লৈ নিৰাপদ হৈছিল এওঁক গদাপানি নগা পাহাৰলৈ যোৱাৰ কথা সোধাত কৰ নোৱাৰি হাঁহি দিলে। এওঁৰ পৰাই নগাবিলাকৰ খেলৰ বিবৰণ তলত দিয়া মতে পালোঁ:— (১) ছিমা (২) মোলং (৩) জাকতুং (৪) ৰবগাং (৫) কৈলং (৬) দিংথাক (৭) চিয়ং (৮) হতক (৯) টাবথুং,

নগাৰ খেল

নগাৰ খেল আৰু অনেক আছে বোলে বুঢ়া ভকতে আৰু কব নোৱাৰিলে। ছিমা আৰু মোলুৰ আন বিলাকতকৈ ওপৰৰ বোলে। ৰঙাও এই দুই টৈদৰ ভিতৰতহে হব পাৰে। একে খেলৰ ভিতৰত বিয়া বাক নহয়। নগাৰ বিষয়ে লিখা ইংৰাজী কিতাপত এইবোৰ বিষয়ে বহুনাই লিখা আছে।

এওঁলোকে মৰা-শ পোতে। খৰি-দিয়াটো ৰৰ নিচুবৰ কাম বুলি ভাৰে। তিন দিনত তিনি (লি), দহদিনত দহা (দ) আৰু মাহেকত মাহেকীয়া (লে) কৰে। তেতিয়া গাৰুঁৰ বাইজক লাওপানী, চাও (ভাত) আদি খুৱায়।

এওঁলোকেও বহাগ বিহুক নিজৰ জাতীয় উৎসৱ বুলি পালন কৰে। খুব বং-ধেমালি কৰি নৈত চুবুকায়। বিহুত আখৈ, চিৰা আৰু গুৰ-গাখীৰ খায়। ৰৰ তেলাল বুলিয়েই কিছুমানে হেনো ছাগলীৰ নাথায়। পৰ্ব্বতীয়া জাতিবিলাকৰ ভিতৰত কিছুমান সুন্দৰ বং-ধেমালি, খেল চলি আছে। খাচিয়া বিলাকৰ "তীৰ-খেল"ৰ সময় মানুহে ভৰি পৰে বোলে। এই বিলাক খেলৰ বিবৰণো আমাক লাগে

এই গাৰুঁত কোনো পঢ়াশালি নাই। ২৩ জন লৰাই লগাক স্কুলতলৈ পঢ়ে। মানুহ বিলাকে শিক্ষাৰ অভাৰ বুজি পাইছে। আমি সদায় নগা পাহাৰ দেখি আছোঁ; নগা জাতিৰ মানুহ দেখি আছো; কিন্তু তেওঁলোকৰ উন্নতিৰ অৰ্থে, তেওঁলোকক আমাৰ ভিতকৰা কবি লবৰ অৰ্থে আমি জানো কিবা কৰিছোঁ? বা কিবা কৰিম বুলি ভাবিছোঁ? কোন কাহানিবেপৰা আমাৰ গাতে লাগি থকা নগা, কুকি, লুচাই, খাম্‌টি অকা, মিৰি, মিছিমি, চিংফৌ, আবৰ, গাবো মিকিৰ, আবৰ গ্ৰাম আদি মানুহ বিলাকক আমাৰ ভিতকৰা কবি লবে অসমীয়া এটা বিৰাট জাতি হব, অসমীয়া জাতিৰ ভবিষ্যত অতি উজ্বল হব। আমাৰ জাতীয় প্ৰতিভাৱে আমি এই মানুহ বিলাকক হাড়ে মাংসুৱে অসমীয়া কবি লবই লাগিব। হাত-ভৰি, নাক-মুখৰ অভাৰত যেনেকৈ কোনো মানুহেই জীয়াই থাকিব নোৱাৰে, সেই দৰেই আমি অসমৰ এই আদি বাসী মানুহ বিলাকক এবি দি অসমীয়া হৈ টিকিব নোৱাৰিম। আমাৰ উচ্চ-অহা ডেকা বন্ধু সকলে অন্তৰত অশেষ উদ্যম, আৰু সংসাহস লৈ এই মানুহবিলাকৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰিব লাগিবই। সকলো প্ৰকাৰৰ উন্নতিৰ মূলতে হৈছে, সংশিক্ষা। সংশিক্ষা সকলো জাতি, সকলো সমাজৰেই উন্নতিৰ মূলেধন। শিক্ষাৰ অভাৱত, প্ৰচাৰৰ অভাৱত জগতত কোনো জাতিয়েই পৃথিবীত লেখৰ জাতি হৈ সৰহ দিন তিষ্ঠিৰ নোৱাৰে। বৰ্ত্তমান পৃথিবীৰ সকলো জাতিৰ মাজতেই একোটা ভীষণ জীৱন-সংগ্ৰাম চলিছে। এই সময়ত আমি শুই থাকিলেহবেনে? আমি আমাৰ আদিবাসী ভাই সকলক তুচ্ছ জ্ঞান নকৰি বুকত সাৱটি নলম কিয়? বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ তলৰ বাণীবে মন কৰিম—

"যাৰে তুমি নীচে ফেলো সে তোমাৰে
বাঁধিবে যে নীচে।
পশ্চাতে বেখেছো যাৰে সে তোমাৰে
পশ্চাতে টানিছে।"

(চয়নিকা,—অপমান, ৪২১ পৃঃ)

এই নগা বিলাক নগা পাহাৰৰ কোন চাঙত, ইয়াতৈ কিয় কেনেকৈ আহিল কোনেও কব নোৱাৰিলে। তুজনমানে আন্দাজ মতে কলে—তুখন চাঙৰ ভিতৰত হেনো কিবা কাৰণত কাজিয়া হৈছিল; তেতিয়াই বলী দলটোৰ লগত তুৰ্ব্বল দলটো হাবি ভৈয়ামলৈ নামি আহে।

বিবিধ

নগা ভাষা মূলতে একে হলেও চাঙে চাঙে ভাষা বেলেগ। বৰ্ত্তমানে নগা পাহাৰৰ অনেক মানুহে খৃষ্টিয়ান হৈ ইংৰাজী শিকিছে। কোনো কোনো নগাই বঙ্গলীও শিকা বুলি শুনা যায়। নগা বিলাক যে মূলতে হিন্দু মানুহ, তাত অকণো সন্দেহ নাই। আমাৰ শাস্ত্ৰতো নাগ লোকৰ (নগা পাহাৰৰ) কথা আছে। নগাবিলাক যে হিন্দু, এই বিষয়ে তৃতীয় বছৰৰ নৱম সংখ্যা "অৰুণৰ" ২০৫ পিঠিত শ্ৰীযুত কন্দৰ্প নাথ ফুকন দেৱে "চাংলিয়েমৰী" নামৰ এটা চুটি প্ৰবন্ধ লিখিছে। মকচুচাং মহকুমাৰ ভিতৰত এই নামৰ এখন ঠাই আছে। তাত বোলে হৰ গৌৰীৰ মূৰ্ত্তি আছে। সেই বোৰ ঠাই চাবলৈ আমাৰ অসমীয়া ডেকাই সাহ কৰিব নোৱাৰেনে?

শিৱসাগৰ মহকুমাৰ স্কুল সমূহৰ ডেপুটি ইন্‌স্পেক্টৰ, মাননীয় শ্ৰীযুত শম্ভু পাল দাস মহাশয়ৰ পৰা শুনিলো যে—লাকোৱা ষ্টেশ্বনৰ পৰা পাঁচ মাইলমান উত্তৰে

এখন গাৱত কিছুমান শ্যাম মানুহ আছে। তাত এখন অসমীয়া প্ৰাইমাৰি স্কুল আছে। শিক্ষক জন শ্যাম জাতীয়। তেওঁলোকৰ গাৱত নাম ঘৰ বা পেগদা আছে। তেখেতে মৰিয়নী অঞ্চলত কিছুমান নগা জাতীয় মানুহ থকা বুলিও কলে। মই সেইবোৰ ঠাই আৰু মানুহ দেখা নাই।

এইবিলাক মানুহৰ লগত আমি যিমানে বেছি সম্পৰ্ক ৰাখো সিমানে আমাৰ দেশৰ পক্ষে ভাল। তেওঁলোকৰ পৰাও আমি শিকিব লগীয়া কথা অনেক আছে। অসমলৈ বিদেশী অহা বাটটো বৰ বহল হৈছে। এই বহল বাট বন্ধ নকৰিলে আমি তিষ্ঠিব পাৰিম নে; অসমীয়া কথা কোৱা অসমীয়া ভাষা আৰু সাহিত্যক অন্তৰেৰে আদৰ কৰা মানুহ যিমান বেছি হয়, সিমানেই আমাৰ ভাল।

অসমৰ সকলোবিলাক পৰ্ব্বতীয়া জাতিৰেই ইতিবৃত্ত লিখিবৰ দিন আহিল। "ভৈয়ামলৈ পৰ্ব্বতীয়া জাতিৰ দানৰ বিষয়ে সুচিন্তিত প্ৰবন্ধ লিখিবলৈ যোগ্য লোক আমাৰ ভিতৰত আছে। আনবোৰ ঠাইৰ কথা এৰি দিলেও জয়ন্তীয়া ৰাজ্য, উত্তৰ কাচাৰ, ডিমাপুৰ, নামবৰহাবি, মিকিৰ পাহাড়, গৰমপানী, সদিয়া, পৰশুৰাম কুণ্ড, চৰাইদেও, ৰংপুৰ, বোকানগৰ, বৰকোলা নগৰ মোককচাং, কহিমা মুংৰিমুংৰাং, পাটকাই পৰ্ব্বত, দৰং ৰাজ্য, প্ৰাচীন বৰ নগৰ আদি ঠাইবো বিশেষ বিবৰণ আমাৰ বিজ্ঞলোক সকলে সোনকালে লিখা উচিত। এনেবোৰ কামত দয়ালু গৱৰ্ণমেণ্টে কিছু পাৰিশ্ৰমিক দি দুজন উৎসাহী আগ্ৰহ থকা শিক্ষিত ডেকাক নিযুক্ত কৰিলে যথেষ্ট কাম হব বুলি বিশ্বাস হয়।

মই সিদিনা ঘৰলৈ ঘূৰি আহিবৰ সময়ত নগা ভাষাৰ কেইটামান গীত লিখিম বুলি এজনৰ ওচৰত বহিলোঁ,

প্ৰত্যাবৰ্ত্তন

কিন্তু মানুহ জনে কি গালে মই ধৰিবলৈ নোৱাৰিলোঁ; মই গীত লিখিবলৈ আখৰকে বিচাৰি নাপালোঁ।

সিদিনা কেৱল ফটো লবলৈহে বাকী থাকিল আন কাম হোৱাত শ্ৰীমান লক্ষ্মী প্ৰসাদৰ ঘৰলৈ ঘূৰি আহিলো তাত ভালকৈ জলপান এটা খাই নগাৱৰ শ্ৰীযুত জগন্নাথ গোস্বামী দেৱৰ ঘৰত সোমালোহি। তেখেত তাত ষ্টেছন মাষ্টৰ। তেখেতৰ ঘৰতো চেনি চম্পা কল আৰু চাহ পানী গ্ৰহণ কৰা হল, ৰেল আহিবলৈ কিছু সময় থকা বাবে মোৰ ছাত্ৰ শ্ৰীমান ফুনু আৰু শ্ৰীমান মুনিৰ লগতেই অলপ ধেমালি কৰা হল, পিছত বেলি মাৰ যাব লগীয়া হোৱাত মোৰ দীখৌ পৰীয়া পঁজা পালোহি এয়ে মোৰ প্ৰথম দিনৰ ভ্ৰমণ।

নগা গাৱলৈ আকৌ ২৫।১১।৩৪ তাৰিখ দেওবাৰে যাত্ৰা কৰিলো। এইবাৰ মোৰ লগত আমাৰ স্কুলৰ ৪৯ জন ছাত্ৰও গৈছিল, তাৰে ৩০ জন স্কাউট। স্কাউট কেইজনে তেওঁলোকৰ স্কাউট সাজ পিন্ধি গৈছিল,

দ্বিতীয় দিনৰ যাত্ৰা

কিছুমান ছাত্ৰই ভোকলৈ ভয় কৰি লগত কল চিৰা কোমল চাউলো নিছিল। মই ছাত্ৰ সকলক লগত লৈ শিৱমালা টাউন ষ্টেছনৰ পৰা কুজীবালি ষ্টেছনলৈ গৈছিলো। গৱৰ্ণমেণ্ট হাই স্কুলৰ মাষ্টাৰ শ্ৰীযুত মহেন্দ্ৰ নাথ গোহাই বি-টি, মহাশয় আমাৰ সহকৰ্ম্মী বন্ধু শ্ৰীযুত গম্ভীৰ চন্দ্ৰ বৰদলৈ আৰু স্কাউট মাষ্টাৰ শ্ৰীযুত গহীন চন্দ্ৰ দাস দেৱৰ লগত বাই চাইকেলেৰে গৈছিল। সিদিনা মাজে সময়ে কুনকুনীয়, বৰষুণ হৈছিল যদিও ভ্ৰমণটো প্ৰীতিকৰ হৈছিল। আমাৰ জয় যাত্ৰা দেখি বাটৰ কাষৰ মানুহ বিলাক বাজলৈ ওলাই চাবলৈ বাধ্য হৈছিল। আমি ছাত্ৰ শিক্ষকে মিলি মুঠ ৫৩ জন।

শ্ৰীযুত গোহাই দেৱে ইয়াত প্ৰকাশ কৰা ফটো কেইটা বৰ কষ্টেৰে তুলি ঘৰলৈ আনে। সেইবাবে তেখেত অশেষ ধন্যবাদৰ পাত্ৰ। শ্ৰীযুত গোহাঁই দেৱে অনুগ্ৰহ কৰি ৰজা দিনীয়া প্ৰসিদ্ধ দল দেৱালয়, পুখুৰী, গড়, মৈদাম আদিৰ ছবি কিছুমান প্ৰকাশ কৰিব বুলি আশা কৰিলোঁ।

নগা গাৱঁৰ কাম হোৱাত আমি গড় গাৱঁৰ ফালে যাত্ৰা কৰিলোঁ। এই ভ্ৰমণৰ পৰা ছাত্ৰসকলে অনেক নতুন কথা শিকিলে—কেইবা জনো ৰেলত নুঠা ছাত্ৰই ৰেলত উঠিবলৈ পালে। মই বাহিৰে বাহিৰে সিদিনা বহা নাজিৰা সাহিত্য সভাৰ দ্বিতীয় বাৰ্ষিক উৎসৱত যোগ

দিলোঁগৈ। সেই সাহিত্য সভা চাই সন্তোষ পালোঁ। ৰাতি সেই উপলক্ষে তাত "নগা কোঁৱৰ" নাটৰ অভিনয়ো হৈছিল।

সিদিনা সকলো ছাতৰেই নিৰাপদে ঘূৰি আহি ঘৰ পায় হি। তেওঁলোকে বাটে বাটে মোৰ এই গীতটো গাই আহিছিল—

সমাজ সেৱক দল আমি সমাজ সেৱক দল,
শিক্ষা সেৱাত জগৎ ঘূৰি গোটাম মনৰ বল
আমি গোটাম মনৰ বল।
সত্যক কৰিম সহায় অস্ত্ৰ
দুখীক দিম অন্ন বস্ত্ৰ,
আতুৰ জনক আশ্ৰয় দানি
লভিম পুণ্য ফল আমি
লভিম পুণ্য ফল।
অৰ্জ্জি লম স্বাস্থ্য ধন,
শুদ্ধ কৰিম বচন মন,
মহান্ মনৰ হই ভাই
গুচাম দেশৰ মল আমি
গুচাম দেশৰ মল। (১)

(১) নগা বিলাকৰ মাজত ভাষানুসাৰে ৭টা জাত পাহাড়ত আছে। যেনে আঙ্গামি, আও লঠা চেমা কুকি কাচ্চা নগা আৰু কঙ্গল (আৰু মণিপুৰ ৰাজ্যত ১৩টা জাত আছে) আঙ্গামি নগা বিলাক সভ্য। তেওঁলোকে কাপোৰ পিন্ধে। শিল্প-কৰ্ম্ম জানে। এওঁলোকে টেঢ়ঙি, ছেক্ৰেঙি ধেঙাৰি পূজা কৰে। (১৮৪৭ শকৰ আহাৰৰ সংখ্যা "জেউতিত" প্ৰকাশ হোৱা "নগা জাতি" প্ৰবন্ধ দ্ৰষ্টব্য)

মিচিকীয়া হাঁহি

—শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা বি-এ

সজাই মৰণশীল সংসাৰ ফুলনি,
পাহৰাই সকলোকে মৰণ বাতৰি,
ক্ষন্তেকতে অন্তহোৱা অনন্তৰ লীলা,
অমৰণ কৰি ৰাখি কৰ্ম্ম জগতত,
কত মায়া কত মোহ স্ৰজিছে বিধিয়ে,
আদি অন্ত নাই তাৰ নাই আগগুৰি,
মায়াৰ লগৰি এটি মিচিকীয়া হাঁহি
মৰতক পাহৰাই শেষৰ বাতৰি।
চঞ্চলা বিজুলী নাই, নাই জোন বেলি
নাই বন্তি, নাই ক্ষুদ্ৰ জোনাকী পৰুৱা,
তথাপিও পোহৰাই ভিতৰে বাহিৰে
বিৰাজিত জগতত অমৰণ ভাৱ
অন্তৰৰো অন্তৰৰ মৌচাক জৰি
অবাধে পিছলি পৰা মিচিকীয়া হাঁহি।

অসমত "শক্তি মেলা"

—শ্রীযুত চন্দ্র কান্ত বরুৱা

আজি গোটেই জগত জুৰি শৰীৰ চর্চ্চাৰ আন্দোলন চলিছে। পাশ্চাত্য দেশ সমূহত মতা-মাইকী নিৰ্ব্বিশেষে শাৰীৰিক শক্তিৰ প্রতিযোগিতাত উঠি পৰি লাগিছে। মানসিক আৰু আধ্যাত্মিক উন্নতিৰ লগে লগে শাৰীৰিক শক্তি বা স্বাস্থ্য নহলে যে জাতীয় উন্নতি সর্ব্বাঙ্গিন হব নোৱাৰে তাক আজি পাশ্চাত্য জাতি সমূহে মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিব পাৰিছে। পাশ্চাত্য দেশৰ পুৰুষৰ কথা বাদ দি মহিলা সকলৰ মাজত চলা শৰীৰ চর্চ্চাৰ আন্দোলনটৈ মন কৰিলেও এই বিষয়ে আমালোকে বহুত বুজিব পাৰোঁ; আজি পাশ্চাত্য দেশৰ মহিলা ক'ত নাই? বন্দুক মৰাৰ পৰা আৰম্ভ কৰি ঘোৰাত উঠা, তৰোৱাল চলোৱা দেহুকাড় মৰা, নাও বোৱা উৰা জাহাজ চলোৱা আদি ক্ষেত্রতো তেওঁবিলাকৰ কৃতিত্বৰ সীমা নাই, তথাপিতো জানো তেওঁবিলাক ক্ষান্ত হৈছে; হোৱা নাই, পুৰুষৰ সমানে সমানে সাজুৰি ইংলিচ চেনেল পাৰ হৈ নাৰীৰ কৃতিত্ব জগতত ঘোষণা কৰিছে, প্রমাণ কৰিছে নাৰীৰ শক্তি আছে, সেই শক্তিয়ে আজি পুৰুষ শক্তিকো জাগ্রত কৰি তুলিছে, আৰু তাৰ জাগৰণৰ ঢৌৱে জগতৰ একোলৰ গৰা ঢোৱাই আনিছে। সেই ঢৌৰ কোৱাল গতিয়ে ভাৰতৰ পশ্চিম প্রান্তৰ পৰা পুব প্রান্তক লক্ষ্য কৰি নগৰ গাওঁ ভুঁইক ঢোৱাই আনিলে, গতিকেই সেই ঢৌৰ প্রতিধ্বনি অসমৰ পুব প্রান্তত উঠিছে:—"অসম শক্তি মেলাই" কৈছে শক্তি লাগে স্বাস্থ্য লাগে, সুঠাম সুবাহ নিৰ্ভীক ডেকা-গাভৰু লাগে, কাৰণ স্বাস্থ্য শক্তি নহলে জাতীয়তাৰ পূর্ণবিকাশ হব নোৱাৰে, সেই কাৰণেই "অসম শক্তি মেলাৰ প্রতিষ্ঠাতা জনে নিৰ্ভীক চিত্তেৰে অসমৰ নগৰে গাৱেভূয়ে চিঞৰি কৈছে—"যি দেশত দেশ বাসীৰ স্বাস্থ্য শক্তি নাই, সেই দেশত কেতিয়াও জাতীয় শক্তি থাকিব নোৱাৰে, সেই দেশে কেতিয়াও জাতীয়তাৰ অস্তিত্ব বা গৌৰৱ কামনা কৰিব নোৱাৰে। পাশ্চাত্য দেশৰ পুৰুষ মহিলাৰ শাৰিৰীক শক্তিৰ কথা শুনিলে মাজে মাজে আমিও আচৰিত হৈছিলো কিন্তু এতিয়াহে দেখিছো আচৰিতৰ একো অর্থ নাই প্রকৃত শিক্ষা, চর্চ্চা, কৰিলে আনেও সেই ক্ষেত্রত থিয় দিব পাৰে। তাৰ প্রমাণ দিলে সর্ব্বপ্রথমে ভাৰতৰ ব্যায়মীৰ বাম মূর্ত্তিয়ে, বিজয়ী মল্লযীৰ গামাই, আন কি সিদিনা এগৰাকী মহিলাযো মাল যুঁজত প্রথম হৈ জগতক বিস্ময় মনালে। আমাৰ এই পুব প্রান্তৰ অসমতো সিদিনা কলিৰ ভীম শ্রীযুত বলীনাৰায়ণ বৰুৱা আৰু তেওঁৰ সুযোগ্য ভাতৃ দেশ প্রেমিক ব্যায়মীৰ শ্রীযুত হৰি নাৰায়ণ বৰুৱাই সর্ব্বপ্রথমে শাৰীৰিক শক্তি দেখুৱাই অসমৰ গৌৰৱ বিস্তাৰ কৰিলে, তাৰ পিছত পৰাই তেনেদৰণেৰে শক্তিবান যুবক অসমে আৰু কেইবা জনো লাভ কৰিছে। ই সঁচাকৈয়ে অসমৰ গৌৰৱৰ কথা, আৰু যে আমালোকে নেদাম তেনে কথাও নহয়; পাৰলৈ আমালোকৰ যথেষ্ট আশা আছে। অসমত স্থাপিত হোৱা অসম শক্তি মেলাই সেই আশাৰ প্রথম ভেটা। অসমীয়া যুবকেও যে প্রকৃত ক্ষেত্র পালে তেওঁলোকৰ কৃতিত্ব দেখুৱাই অসমৰ বা অসমীয়াৰ গৌৰৱ বিস্তাৰ কৰিব পাৰে তাৰ প্রমাণ আমালোকে যোৱাবাৰ "অসম শক্তি" মেলাত হোৱা প্রতি যোগিতা বিলাকৰ পৰাই বুজিব পাৰিছোঁ। তিন চুকিয়াৰ পৰা গুৱাহাটীলৈ ৩২০ মাইল খোজকঢ়া প্রতি যোগিতাত শ্রীযুত সূর্য্যকান্ত ঢেকীয়ালে কৃতিত্ব দেখুৱাই ৭৮ ঘণ্টা ২০ মিনিটৰ বেকর্ড তৈয়াৰী কৰিছে। একেবাহে চাইকেল

চলোৱা প্রতিযোগীতাত শ্রীযুত কেশৱ চন্দ্র দাসে বঙ্গদেশৰ বেকর্ড ভঙ্গকৰি ৫২ ঘণ্টা ২১ মিনিটৰ বেকর্ড কৰিছে। একেৰাহে লৰি থকাৰ প্রতি যোগিতাত শ্রীমান মণিকান্ত দাসে ১৫ ঘণ্টা ৪৫ মিনিটৰ বেকর্ড ৰাখিছে। একেৰাহে খোজ কঢ়াৰ প্রতি যোগিতাত শ্রীযুত যামিনী কান্ত দাসে ৩৮ ঘণ্টা ২১ মিনিটৰ বেকর্ড কৰিছে। ইয়াৰ বাহিৰেও



শ্রীযুত সূর্য্যকান্ত ঢেকিয়াল

আৰু অন্যান্য প্রতিযোগীয়ে তেওঁবিলাকৰ শাৰীৰিক শক্তিৰ কৃতিত্ব দেখুৱাই সকলো বাইজৰে প্রশংসাৰ পাত্র হৈছে। এই বাৰ আকৌ মাৰ্চ্চ মাহত "অসম শক্তি মেলাৰ" দ্বিতীয় অধিবেশন পুনৰ যোৰ হাটতে হব। মেলাৰ ফলাফল লৈ হে আমালোকে আগ্রহেৰে বাট চাই থাকিলোঁ।

অসম শক্তি মেলাৰ অনুষ্ঠানটি যে এসময়ত জাতিৰ এটি গৌৰবময় অনুষ্ঠান হৈ উঠিবগৈ তাৰ প্রথম আভাষ প্রথম অধিবেশনতে দেখিবলৈ পোৱা হৈছে। এই অনুষ্ঠানটিৰ ওৰি ধৰোতা দেশ প্রেমিক ব্যায়মীৰ শ্রীযুত হৰি নাৰায়ণ বৰুৱা ডাঙ্গৰীয়াৰ ওচৰত সদৌ অসমীয়া জাতি চিৰ কৃতজ্ঞ থাকিব। তেখেতে প্রথমতে অসম শক্তি মেলাৰ অনুষ্ঠানবোৰ ঠাইে ঠাইে স্থাপন কৰিবলৈ গৈ বেৰ জাহাজত কি ভাবে ভুবিৰ লগীয়া হৈছিল, তাকো বহুতে জানে. আৰু আমালেকেও জানো। সেই সময়ত তেখেতৰ ইচ্ছা হৈছিল যে পইছা নোহোৱা কৈয়ো দেশৰ কাম কৰিব পাৰিনে নোৱাৰি তাৰো প্রমাণ হক। সময়ত দেখা গল ঈশ্বৰৰ অনুগ্রহত অসমৰ গৌৰৱময় অনুষ্ঠানটি উজলি উঠিল। তেখেতে ইয়াৰ আগতে কেবা বাৰো অসহযোগ আন্দোলনত কাৰাবৰণ কৰি যোৱাহাটত অসম বাষ্ট্র সম্মিলন পাতে। সেই সম্মিলনখন পাতিবলৈকে তেখেতে বহুত বাধা বিঘিনি অতিক্রম কৰি যাব লগীয়া হৈছিল, আকৌ শুনিবলৈ পালোঁ অসম বাষত সম্মিলন পতাৰ প্রথম প্রস্তাৱ নৰিয়া পাৰিব পৰাই শ্রীযুত সর্ব্বেশ্বৰ চেতীয়া ডাঙ্গৰীয়াৰ আগত ডাঙ্গি ধৰিছিল। সময়ত অসম বাষত সম্মিলনো হৈ গল। হোৱা হৈ গল তাক আলোচনা কৰাৰ আমাৰ অভিপ্রায় নহয়, বর্ত্তমান আমালোকৰ অভিপ্রেত বস্তু হৈছে 'অসম শক্তি মেলা', আৰু হৈছে অসম শক্তি মেলাৰ প্রতিযোগী যুবক যুবতী সকলৰ কৃতিত্ব। দেখুৱাৰ লাগিব এই অনুষ্ঠানটি সবল হৈ উঠিবলৈ অসমীয়াই সহানুভূতি; তাকে পালেই 'অসম শক্তি মেলা'ৰ জন্মীতেই অসমীয়াই শ্রীযুত প্রফুল্ল চন্দ্র ঘোষৰ দৰে অপ্রতীদ্বন্দী বীৰ যুবক লাভ কৰিব পাৰিব, অসম আৰু অসমীয়াৰ গৌৰৱ চাৰিও ফালে বিস্তাৰ হব—ইয়াৰ মাজেদিও জাতিৰ জাতীয়তা বিকাশ হব।

বিশ্ব-প্ৰৱাহ

এটি অসমীয়া চাবি পুকুৰ জীৱিত থকা পৰিয়াল

দৰং জিলাৰ, মহাভৈৰৱ মৌজাৰ পৰ্ব্বতীয়া দ চুবুগীত এটি ১৯ জন মানুহৰ পৰিয়াল আছে। সেই পৰিয়ালৰ চাবি পুকুৰ জীৱিত আছে যেনে—



১। প্ৰপিতামহী শ্ৰীযুক্তা দেহতী দাগী বয়স ১২৪ বছৰ।
২। পিতামহ শ্ৰীযুত বাপিৰাম মেধি—বয়স ৮৪ বছৰ।
৩। পিতা শ্ৰীযুত ৰবিৰাম মেধি বয়স ৫৬ বছৰ।
৪। পুত্ৰ শ্ৰীযুত সোণাৰাম মেধি বয়স ১৯ বছৰ।

আমেৰিকাৰ সৈন্য সকলৰ কাম

আমেৰিকাৰ সৈন্য সকলে যুদ্ধলৈ যাতু থকাৰ বাহিৰেও নিজৰ খোৱা-লোৱা থকা মিলা সকলো কাম



আমেৰিকাৰ সৈন্যসকলে নিজৰ নিজৰ মালবস্তু উদাজাহাজত নিজে তুলিব ধৰা দৃশ্য।

কৰিব লাগে। নিজৰ নিজৰ কানি কাপোৰ কচিয়াই লৈ ধুবলৈ লাগে। কেতিয়াবা কেতিয়াবা ডাক আনা-নিয়া কামো এই সৈন্য সকলৰ দ্বাৰাই কৰোৱা হয়।

সাধাৰণৰ বাবে উদাজাহাজ

সকলো বন্দৰে আৰিষ্কাৰৰ আগডোখৰত মহাযুদ্ধীয়া লাহে লাহে তাৰ শিল্প আৰু ব্যৱসায়ৰ উন্নতি হৈছে সুলভ হৈ উঠে। উদাজাহাজৰো সেই একেই কথা। এতিয়া সি ধনী সদাগৰৰ ব্যৱহাৰৰ হে বস্তু নহয়।

ইঞ্জিনিয়াৰ সকলে সৰুসাধাৰণেও ব্যৱহাৰ কৰিব পৰা সস্তাদামৰ উদাজাহাজ সাজি উলিয়াবৰ চেষ্টা কৰিছে। ফ্ৰান্সৰ জিয়ান ভান লিথে এখন মনোপ্লেন আৰু পাইৰী



সকলোৱে ব্যৱহাৰ কৰিব পৰা দুখন ১৭০ পাঃ হাৰৰ উদাজাহাজ

মেণ্ডেলীয়ে এখন বাইপ্লেন সাজিছে। ডুয়েথন ১৭০ পাঃ দমতে পাৰ পাৰি। সিহঁতে ঘণ্টাত ৯০ মাইলকৈ যাব পাৰে।

তেনেই অকলশৰীয়া দ্বীপ

পৃথিবীৰ ভিতৰত ট্ৰিষ্টান ডা কুনহা অতি অকলশৰীয়া দ্বীপ। বহু দুবলৈকে তাৰ ওচৰত কোনো দ্বীপ নাই। সেই দ্বীপত কোনো আদিম অধিবাসীও নাছিল। এতিয়াহে ইংলণ্ড, হলেণ্ড, ইটালী, এচিয়া আৰু আফ্ৰিকাৰ পৰা কিছুমান মানুহ গৈ বাস কৰিছে। তেওঁলোকৰ সংখ্যাও সকলো মিলি ১৬০ জনহে। এই মানুহবোৰ বৰ দুঃসাহসিক আৰু অতি অকলশৰীয়া ভাবে তাত জীৱন অতিবাহিত কৰিছে। দুই তিন বছৰৰ মুবতহে কোনো জাহাজ তাত লাগিলে আন মানুহৰ লগত দেখা সাক্ষাত হয়। ইয়াৰ মানুহবোৰ স্বাস্থ্যবান, ধাৰ্ম্মিক অতিথি সেৱক আৰু দীৰ্ঘজীৱী। ইংলণ্ডৰ বাণীয়ে তাত ১৯২৯ চনত এটি গীৰ্জ্জা সাজি দিছে—নাম চেণ্ট মেৰী। বাহিৰৰ পৰা ধৰ্ম্ম যাজক গৈ কেতিয়াবা ধৰ্ম্ম শিক্ষা দিয়ে।



ট্ৰিষ্টান ডা কুনহা দ্বীপৰ কেগৰাকীমান মহিলা অধিবাসী

অকলশৰীয়া ট্ৰিষ্টান ডা কুনহা দ্বীপ

স্বৰ্গীয় কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেৱ

বেলতলাৰ ৰাজবংশৰৰ কুমাৰ ৰাজেন্দ্ৰনাৰায়ণ দেৱ, বি-এল, ডাঙৰীয়া ঘোৱা ১১ অক্টোবৰ তাৰিখে স্বৰ্গী হৈছে। মৃত্যুৰ সময়ত তেখেতৰ বয়স মাথোন ৩৪ বছৰ হৈছিল। তেখেতৰ স্বাভাৰিক অমায়িকতা আৰু মহানুভৱতা গুণে সকলোকে মোহিত কৰিছিল।

কুমাৰে ১৯১৯ চনত বি-এ, উপাধি লাভ কৰি ১৯২৪ চনত বি-এল, পাছ কৰে। ১৯২৪ চনৰ পৰাই তেখেতে গুৱাহাটীত ওকালতী আৰম্ভ কৰিছিল। ওকালতী ব্যৱসায় কৰাৰ উপৰিও তেখেতে নিজৰ ইষ্টেট্ বেলতলা মৌজাও পৰিচালনা কৰিছিল। তেখেত গুৱাহাটী মিউনিচিপ্যালিটি আৰু লোকেল বোৰ্ডৰ মনোনীত সভ্য আছিল, আৰু



স্বৰ্গীয় কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেৱ

কামৰূপৰ মৌজাদাৰী সঙ্ঘৰ সভাপতি আছিল। কুমাৰৰ অকাল মৃত্যুত অসমৰ বিশেষ ক্ষতি হ'ল। তেখেতৰ নিচিনা পুৰণি ৰজাঘৰীয়া বংশৰ ভিতৰত উচ্চ শিক্ষা লাভ কৰি প্ৰজা হিতকৰ কামত ব্ৰতী হোৱা লোক বিৰল। তেখেতে অলপ দিনৰ ভিতৰতেই নিজৰ বুদ্ধি কৌশল আৰু লোকপ্ৰিয়তাৰ যথেষ্ট প্ৰমাণ দিছিল। দৈৱ দুৰ্বিপাকত কুমাৰৰ ১৯২৫ চনত এটি সাংঘাতিক দুৰ্ঘটনা ঘটিছিল। নিশা দল বান্ধি চিকাৰ কৰিবলৈ যাওঁতে কুমাৰ আৰু ৺লাড়ু সৰস্বতী ভুলক্ৰমে তেওঁলোকৰ সঙ্গী চিকাৰীৰ গুলিত আহত হৈ দুয়ো শয্যাশায়ী হৈছিল। ৺সৰস্বতীৰ পিছদিনাই মৃত্যু ঘটে। বহুদিন নানা চিকিৎসাৰ পাছত অতি কষ্টে কুমাৰৰ জীৱন ৰক্ষা পৰে। কিন্তু তেতিয়াৰ পৰা কুমাৰৰ স্বাস্থ্য ঘুনীয়া হৈছিল। এতিয়া মৃত্যুৰ পূৰ্ব্বে প্ৰায় এবছৰকাল তেখেতে নানা পীড়াত ভুগিছিল।

অতি শৈশৱকালতে কুমাৰৰ পিতৃদেৱ ৺চন্দ্ৰনাৰায়ণৰ পৰলোক হয়। কুমাৰ বুৰঞ্জী বিখ্যাত বীৰ চিলাৰায়ৰ বংশধৰ, আৰু বিজনীৰাজ দৰঙীৰাজ বংশৰ ভাগী হয়।

১। চিলাৰায় (শুক্লধ্বজ)
|
১। ৰঘুৰায় (ৰঘুদেৱ নাৰায়ণ)
|
৩। পৰীক্ষিত নাৰায়ণ
|
৪। চন্দ্ৰনাৰায়ণ—(১)
|
৫। জয়নাৰায়ণ
|
৬। হৰ ণাৰায়ণ (বেলতলাৰাজ স্থাপন কৰ্ত্তা)
|
৭। শিৱ নাৰায়ণ
|
৮। গজেন্দ্ৰ নাৰায়ণ
|
৯। লম্বোদৰ
|
১০। লোকপাল
|
১১। চন্দ্ৰ নাৰায়ণ (২)
|
১২। ৰাজেন্দ্ৰ নাৰায়ণ

ওপৰত দেখুউৱা দৰঙৰাজ বংশাৱলীৰ পুৰুষীনামা মতে কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ চিলাৰায়ৰ পৰা দ্বাদশ পুৰুষ। তেখেতে সৰু কালৰে পৰা মাতৃ ৺অহল্যা দেৱীৰ তত্ত্বাবধানত প্ৰতিপালিত হৈ নানা বিপদ কষ্টৰ মাজতো নিজ প্ৰতিভাৰ গুণত সমাজত উচ্চ আসন লব পাৰিছিল।

১৯২৬ চনত যোৰহাটৰ বঙালপুখুৰী গদাধৰ ফুকনৰ কন্যা শ্ৰীযুতা লক্ষ্মীপ্ৰিয়া দেৱীৰ লগত ৺কুমাৰৰ বিবাহ হয়। এতিয়া কুমাৰৰ পৰিয়ালৰ ভিতৰত তেখেতৰ বিধবা পত্নী আৰু শিশুপুত্ৰ দুটি [কুমাৰ যতীন্দ্ৰনাৰায়ণ (৭॥ বছৰ) আৰু কুমাৰ দ্বিজেন্দ্ৰ নাৰায়ণ (৫ বছৰ)] আৰু দুগ্ধপোষ্যা কন্যা এজনী আৰু সহোদৰা ভনী শ্ৰীযুতা লাৱণ্য বালা দেৱী বৰ্ত্তমান আছে।

আমি ৺কুমাৰৰ আত্মাৰ সদ্গতিৰ বাবে ভগবানক প্ৰাৰ্থনা জনাইছোঁ।

বিবিধ

সবাতো পুৰণি পৃথিবীৰ ডাঙৰ ঘৰ

ইজিপ্টৰ 'ষ্টেপ পিৰামিড' (Step pyramid) পৃথিবীৰ ডাঙৰ প্ৰাসাদ বা ঘৰৰ ভিতৰত আটাইতকৈ পুৰণি। বিশেষজ্ঞ সকলে নিৰ্ণয় কৰিছে যে ৬০০০ হাজাৰ বছৰ আগেয়ে ইয়াক সজা হৈছিল।

পৃথিবীৰ জল আৰু স্থল

সাধাৰণতে পৃথিবীৰ ৩ ভাগ জল এভাগ স্থল বুলি কোৱা হয়। অৱশ্যে ঠিক তিনি ভাগ পানী নহলেও পৃথিবীৰ আধাতকৈ বেছি পানীৰে আগুৰা। পৃথিবীৰ মুঠ কালি-পৰিমাণ ১৯২,০০০,০০০ বৰ্গমাইল। তাৰে ১৩৭,০০০,০০০ বৰ্গমাইল মহাসাগৰ, সাগৰ, নদী আৰু খাল-বিলে আগুৰা।

পাৰ্লামেণ্টৰ মেম্বাৰৰ দৰমহা

ইংলণ্ডৰ পাৰ্লামেণ্টৰ মেম্বৰ সকলক দৰমহা দিয়াত মুঠ ২০১৯৬০ পাউণ্ড আৰু নিজৰ নিজৰ কন্‌ষ্টিটিউৱেন্সিৰ পৰা কমন্স সভালৈ অহা যোৱা খৰচৰ বাবে ৩৪,০০০ পাউণ্ড খৰচ হয়।

সাগৰত বুৰা ধন-সোণ

এতিয়া লৈকে জাহাজ ডুবি সাগৰত বুৰ যোৱা ধন-সোণৰ মূল্য ৫০,০০০,০০০ পাউণ্ড হব। একেলগে আটাইতকৈ বেছি মূল্যৰ ধন সোণ লৈ ডুবি যোৱা জাহাজ খনৰ নাম স্যান পেড্ৰো। ই ১৩,০০০,০০০ পাউণ্ড ধন-সোণ বুকুত লৈ ভেনিজুৱেলা উপকূলৰ ওচৰত বুৰ যায়।

তিনি বৰণ

আচলতে বৰণ মাথোঁ তেনিটাহে—ৰঙা, সেউজীয়া আৰু হালধীয়া। এই তিনি বৰণৰ কম-বেছি সংমিশ্ৰণৰ ফলতহে আন আন বৰণবোৰ পোৱা যায়।

বৰণ-কণা (Colour-blind)

কিছুমান মানুহ বৰণ-কণা অৰ্থাৎ সিহঁতে কিছুমান বৰণ নেদেখে নাইবা সাধাৰণ চকুৱে দেখা বৰণতকৈ বেলেগ ভাবে দেখে। কিছুমানৰ এটা চকু বৰণ কণা থাকে—অৰ্থাৎ সোঁ চকুটোৱে ৰঙাক ৰঙা দেখিলেও বাওঁ চকুটোৱে তাকেই আকৌ কলা দেখে। এজন বিখ্যাত কুৱেকাৰ বৰণ কণা আছিল আৰু তেওঁ মুঠেই তিনিটা বৰণহে দেখিছিল। তেওঁ গোলাপী ফুলক নীল বৰণীয়া দেখিছিল। এদিন তেওঁৰ চকুৰ কাষত আঘাত লাগোতে তাৰ পৰা সেউজীয়া তেজ ওলাইছিল। ৰঙা নাইবা সেউজীয়া কাচৰ ভিতৰেদি চালে বস্তুৰোঁ সেই ৰং দেখাৰ দৰে কিছুমান মানুহে সদায় তেনে দেখে।

মকৰাৰ জালৰ সূতা

এজন বিশেষজ্ঞৰ মতে এ পাউণ্ড ওজনৰ অতি সূক্ষ্ম মকৰাৰ জালৰ সূতাৰে গোটেই পৃথিবীৰ চাৰিও ফাল আগুৰিব পাৰি।

অতি দুষ্প্ৰাপ্য ধাতু

সকলো ধাতুতকৈ 'একটিনিয়াম' তেনেই পাবলৈ নোহোৱা আৰু সেই বাবেই সি অতি বহুমূলীয়া। ইয়াৰ এক আউন্সৰ মূল্য ২০০,০০০ পাউণ্ড। ৰেডিয়ামতকৈও ই বেছি শক্তিশালী আৰু বেছি দিন স্থায়ী।

সবাতোকৈ গধুৰ হাতী

এতিয়ালৈকে ওজন কৰি পোৱাৰ ভিতৰত আফ্ৰিকাৰ জাম্বো নামক হাতী এটিৰ ওজন আটাতকৈ বেছি। এই হাতীটো লণ্ডনৰ চিৰিয়াখানাত আছিল। ওখই ই ১১ ফুট আৰু গধুৰ ৬½ টন আছিল।

মাখীৰ জীৱন-কাল

একোটি মাখী সাধাৰণতে ৬ সপ্তাহ জীয়াই থাকে আৰু প্ৰত্যেক দহ দিনৰ ভিতৰত ১৫০ টাকৈ কণী পাৰে। এই কণী ১৪ দিনৰ ভিতৰত ডাঙৰ হৈ উঠে আৰু দুসপ্তাহ পিছৰ পৰাই ইহঁতেও কণী পাৰিব ধৰে।

এৰোৰক ডাম

আইদেহো নামক ঠাইৰ বইচ (Boise) নদীত সজা এৰোৰক ডাম ইৰিগেশ্যনৰ বাবে সজা ডাম বোৰৰ ভিতৰত আটাইতকৈ ওখ। ই ওখই ৩৫০ ফুট আৰু বহলে ১০৭৫ ফুঃ আৰু প্ৰায় হেজাৰ মাইল খালেৰে পানী বোৱাই ই প্ৰায় দুশ হাজাৰ একৰ মাটিত পানী যোগায়।

বেছি সংখ্যক সন্তান জননৰ বাবে পুৰস্কাৰ

মুছোলিনীয়ে ইটালীৰ জনসংখ্যা বঢ়াবলৈ আন এটি আন্দোলন চলাইছে। যোৱা বৰদিনৰ উৎসৱত ইটালীৰ আন সকলোতকৈ বেছি সংখ্যক সন্তান জন্ম দিয়া ৯৪ গৰাকী মহিলাৰ প্ৰত্যেকক ৪৮০০ লায়াৰকৈ পুৰস্কাৰ দিছে। এওঁলোক আটাই কেইজনীয়ে মিলি ১৯১৮ চনৰ ৪ নবেম্বৰৰ পৰা এতিয়ালৈকে ৯১০ টি সন্তান জন্ম দিছে আৰু সকলোটি এতিয়াও জীয়াই আছে। তাৰে ভিতৰত এজনীয়ে এই ১৬ বছৰৰ ভিতৰত ১৩ টি সন্তানৰ মাক হৈছিল।

তুমি নুবুজিবা সখী !

কবিতা— —শ্রীযুত দেৱকান্ত বৰুৱা

সাগৰ দেখিছা ? দেখা নাই কেতিয়াও ? মঞো দেখা নাই ;
শুনিছো তথাপি,
নীলিম সলিল বাশি, বাধাহীন ঊর্ম্মিমালা, আছে দূৰ
দিগন্ত বিয়াপি ।
মোৰ ই অন্তৰ খনি সাগৰৰ দৰে নীলা, বেদনাৰে ;
দেখা নাই তুমি ?
উঠিছে মৰিছে য'ত বাসনাৰ লক্ষঢউ তোমাৰেই
স্মৃতি-সীমা চুমি ।
শুনা নাই ? মোৰ সাগৰত তুমি মুমুহাৰ শুনা নাই
উতলা সঙ্গীত ?
বুজা নাই ? অন্তভেৱা কৰা নাই, ফুলমিত বসন্তৰ
কোমল ইঙ্গিত ?
দেখিছাতো বামদেহ,—বাবিষাৰ ভাৱৰত পোহৰৰ
মোহন গৌৰৱ ।
প্রেমৰ পোহৰ-দীপ্ত মোৰ হৃদি-আকাশৰ দেখিছানে
বঙৰ উছুৰ ?
মাজনিশা সাৰপাই শুনিছানে কেতিয়াবা কেতেকীৰ
হিয়াভগা মাত ?
ভাবিছানে এটিবাৰো পথীৰ ডিজিত কান্দে মানুহৰ
বুকুৰ সঘাত ?
মই জানো তুমি কিটো জানা ! হেৰা মোৰ হিয়াহীনা প্রিয়া !
তুমি জানা মাথো
তুমি—তুমি, মই—মই । তুমি তো নাজানা হায়, কিয় বাক
কিয় আমি গাওঁ ।
জঁয়পৰা মালতীবে জয়ৰ গৌৰৱ-মালা ? মিলনৰ
কাৰেঙ সোণালী
সাঁজো কিয় পৃথিৰীৰ ছুখৰ বোকাবে আনি হৃদয়ৰ
বঙাতেজ ঢালি,
প্রতিমাৰ পখালোঁ চৰণ কিয় ? তুমি নুবুজিবা সখী !
কিনো বেদনাত
মঞ্জীত প্রতিষ্ঠা কৰা দেৱীক বিসর্জো আমি বিজয়াৰ
বিফল সন্ধ্যাত ।
সান্ধ্যয়া আহিছে নামি ? থ'ক হেৰা ! নালাগে অলাৰ চাকি ।
—দুটি নয়নৰ
সহজ প্রভাবে আজি নাশিবা তিমিৰ তুমি, অন্ধকাৰ
মোৰ জগতৰ !

অসম সাহিত্য সভাৰ

সভাপতিৰ অভিভাষণ

[পঞ্চদশ অধিবেশন]

(আগৰ সংখ্যাৰ পাছৰপৰা)

—ৰায়বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা

কিন্তু অসমৰ লগত শ্রীহট্টৰ সংযোগ অজীর্ণকাৰী হৈছে। কোৱা বাহুল্য যে "অজীর্ণে বিষমং দোষম্" আমি শ্রীহট্টবিচ্ছেদ কামনা কৰোঁ।

অসমক সকলো প্রকাৰে অসমা বা অতুলনীয়া কৰি বাগিবলৈ চেষ্টা কৰা প্রত্যেক অসমীয়াৰ কর্ত্তব্য। সকলো অসমীয়াই মুঠ বাঙ্কি একতা সূত্রত আবদ্ধ হৈ সমবেত চেষ্টা কৰিলেহে আমাৰ উন্নতি হ'ব। জাতীয় উন্নতিৰ নিমিত্তে লাগে একতা, গভীৰ স্বদেশানুৰাগ আৰু স্বজাতি-প্রেম ; লাগে অদম্য, একাগ্রতা, সেৱা-পৰায়ণতা আৰু স্বার্থত্যাগ ; লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুলাই তুলিবলৈ একান্ত চেষ্টা।

এখন দেশৰ সকলো মানুহ এক ভাষাময়ী নহলে জাতীয়তা গঠন কৰা টান। আমেৰিকাৰ সম্মিলিত ৰাজ্যত য়ুৰোপৰ নানা দেশৰ নানা সম্প্রদায়ৰ মানুহে গৈ উপনিবেশ স্থাপন কৰিছিল। কিন্তু তাৰ অধিকাংশ লোকৰ ভাষা ইংৰাজী হোৱাত বাকী বিলাকেও ইংৰাজী ভাষাকে গ্রহণ কৰি সকলোট মিলি এক দেশী, এক বেশী, এক ভাষা ভাষী হৈ এটা প্রবল প্রতাপী জাতি গঠন কৰি পেলালে। আমাৰ দেশৰ সমথলত থকা মিৰি, মিকিৰ আৰু নগাই অসমীয়া ভাষা লৈছে। অন্যান্য পর্ব্বতীয়া জাতি আৰু চাহ-বাগিচাৰ বনুৱা আৰু আন আন দেশৰ পৰা আহি ইয়াত নিজাপীকৈ থকা লোক সকলৰ ভিতৰত অসমীয়া ভাষা ও সাহিত্যৰ ভিতৰেদি ধর্ম্ম আৰু জ্ঞান বিলাব লাগিব। সিহঁতক আমাৰ আপোন কৰিব লাগিব। অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ ওপৰত আমাৰ জাতীয় উন্নতি থাইকৈ নির্ভৰ কৰিছে। আমাৰ ভাষা, সাহিত্য, ইতিহাস, নৃ-তত্ত্ব, প্রত্ন-তত্ত্ব উদ্ভিদ-তত্ত্ব, পশু পক্ষীৰ তত্ত্ব প্রভৃতি বিষয় সকলো অসমীয়াৰ, বিশেষকৈ আগলৈ উঠি অহা শিক্ষিত ডেকা সকলৰ আলোচনা বিষয় হ'ব লাগে। বিশ্ব ব্রহ্মাণ্ডক বুজিবলৈ হলে এখন নির্দ্দিষ্ট সীমাবদ্ধ ঠাইক প্রথমে হাত দিব লাগিব। দুৰবিক ওচৰ কৰিবৰ উপায় হৈছে ওচৰৰ পৰা ক্রমে ক্রমে দূৰলৈ যোৱা। নিজৰ ভিতৰত এটা স্বাতন্ত্র্যৰ অনুভূতি নহলে শক্তিৰ যথার্থ বিকাশ হব নোৱাৰে। এই শক্তি কোনো এফালে বিকশিত হবলৈ আৰম্ভ কৰিলেই সি সকলো পিনেই ক্রমে বিকশিত হ'ব। পর্ব্বতৰ ক্ষুদ্র উহ্ বা নিজৰাৰ পৰাহে বৰ নৈৰ উৎপত্তি হয়। বিশ্ব কথা বা ভাৰতৰ কথা ভবাৰ আগেয়ে আমাৰ নিজৰ মাতৃ-ভূমিৰ কথা ভাবিব লাগিব। আগেয়ে নিজৰ ক্ষুদ্র নিজৰাক বৰ নৈৰ নিচিনা বেগৱতী কৰিব পাৰিলে নিজৰাই নিজেই গৈ সাগৰৰ লগত মিলিব পাৰিব। আমাৰ সকলো শক্তি স্বদেশ আৰু স্বজাতিৰ সেৱাত, অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিত লগাব লাগিব। শক্তিৰ কাম সৃষ্টি কৰা, বিনাশ কৰা নহয়। যাৰ শক্তি আছে, তেওঁলৈ কামো আছে। যাৰ প্রীতি আছে, তেওঁলৈ সেৱাৰ পাত্রও আছে। সকট হৈ অর্থাৎ বিনম্রী, সংযমী আৰু সবলচিত্তীয়া হৈছে সংসাৰত সবকিব পাৰি, ভেম আৰু অহঙ্কাৰেৰে নহয়। ভয়, এলাহ, হিংসা, আৰু পৰশ্রীকাতৰতাৰে উন্নতি কৰিব নোৱাৰি। সেৱক হৈছে নায়ক হব পাৰি। শক্তিৰ চর্চ্চা মানে আত্মবিশ্বাস, আত্ম-সম্মান, অবলম্বন বা স্বাধীনতা। স্বাধীনতাই আনন্দ।

শ্রদ্ধাস্পদ শ্রীযুক্ত লক্ষীনাথ বেজবৰা ডাঙৰীয়াই প্রথম বছৰৰ প্রথম সংখ্যা "ৰাহী"ত লিখিছিল,—

"অসমৰ মাটি সাকৰা ; অলপ আয়াসতে তাত নানা শস্য উৎপন্ন হয় ; সেইদেখি ভাৰতবর্ষৰ আনঠাইৰ পৰা আক ভাৰতৰ বাহিৰৰ পৰাও অসমলৈ মানুহ আহি সুচল পাই তাত বসতি কৰি থাকিছিল। যাইকে অসমৰ কামাখ্যা, পৰশুৰামকুণ্ড আদি অনেক তীর্থ কৰিবলৈ অহা বিদেশী মানুহেও উৰ্ব্বৰা অসম এৰি নিজৰ কটুৰ দেশলৈ উভতি নগৈছিল। তাৰ উপৰিও আক এটা মস্কিল এই আছিল যে সেই কালত অসমলৈ অহা-যোৱা কৰা বাট বৰ দুর্গম আছিল, সেই বাবেও কোনো বিদেশী মানুহ এবাৰ অসমলৈ আহিলে পৰাগক্ষ তেওঁ অসম এৰি উভতি নিজৰ দেশলৈ যাবলৈ মন নেমেলিছিল। আগৰ কালত অসম-বঞ্জাসকলেও বিদেশী গুণাকৰ মানুহ পালে তেওঁলোকক মাটিবাৰী বিষয়-বাসনা দি অসমতে পাতি অসম দেশ চহকী কৰিছিল। পশ্চিমীয়া মানুহ স্বভাৱতে কষ্ট সহিষ্ণু আক তীর্থৰত। সেই দেখি ওৰিতে পশ্চিমীয়া হিন্দুস্থানী মানুহ অসমলৈ যোৱাৰ লেখ সবহ। কালক্রমত সেই সকলে অসমত বসতি কৰি অসমীয়া মানুহৰ সৈতে বিয়া-বাকৰ সম্বন্ধ কৰি অসমত থাকি অসমীয়া হৈছিল। তেওঁলোকৰ পো-নাতি সকলে যে অসমৰ লেখত ভালেমান পোহ দি তাক সবহ কৰিলে এইটো ধুৰুপ। উড়িষ্যাৰ সৈতে আগৰ কালত অসমৰ সম্পর্ক প্রবল আছিল ; পুৰীৰ তীর্থ জগন্নাথ ক্ষেত্রই তাৰ প্রধান কাৰণ। ইত্যাদি কাৰণত অসমীয়া মানুহ আক অসমীয়া ভাষাত হিন্দী আক উড়িয়া মানুহ আক ভাষাৰ ৰঙ্গনিৰ ভাগ সবহ দেখিবলৈ পোৱা যায়। সেই দেখি আমি ক'ব পাৰো যে যাক আজি আমি অসমীয়া মানুহ বোলোঁ, আক যি ভাষাক অসমীয়া বোলোঁ, সেই দুয়ো অনেক জাতিৰ অনেক দেশৰ মানুহ আক ভাষাৰ সান-মিহলি হৈ থোৱা বস্তু। ভাৰতৰ আন আন দেশতকৈ অসমত সমাজ-বান্ধোন ঢিলা-সোলোকা হোৱাৰ কাৰণো সেয়েই। কিন্তু আমি অলপ দৰকে ভাবি চালেই বুজিম যে যদিও বাৰ ঠাইৰ বাৰটা লৈ অসমীয়া ভাষা আক অসমীয়া জাতি সবহভাগ গঠিত, তথাপি সেইবোৰ লগ লগাই বান্ধি একোটা কবিৰৰ নিমিত্তে অসমত এনে এটা ঘাই বান্ধোন আছে যে আন দেশত তেনে বান্ধোনৰ অনেক ওণ অভাৱ। সেই বান্ধোন—অসমত বৈষ্ণৱ ধর্ম্ম প্রচাৰ কৰা সত্রবিলাক। সেই সত্রবিলাকৰ ধর্ম্মৰ সুতাই অসমীয়া মানুহক একে ডাল সুতাতে গুঁঠিছে, আক অসমত ওখ, মাজ আক তল থাপৰ মানুহক ধর্ম্ম নীতি, সদাচাৰৰ অখণ্ড নিয়মবিলাকৰ তলতীয়া কৰি বান্ধিছে। পৃথিবীৰ আন দেশত এনে দৃশ্য আটকীয়া। সেই কাৰণৰ নিমিত্তেই হিন্দুধর্ম্ম প্রচাৰৰ ভাষা সংস্কৃত ভাষাত অসমীয়া ভাষাৰ সৰ্ব্বাঙ্গ মজি আছে ; আক সেই বাবেই সংস্কৃত ভাষাই অসমীয়া ভাষাৰ মাতৃৰ আসন কবি ৰ'ল ; আক সেই বাবেই কি বড়ো ভাষা, কি আহোম ভাষা, কোনো অন্যান্য ভাষাই অসমীয়া ভাষাক সংস্কৃতৰ বুকুৰ পৰা কাঢ়ি নিব নোৱাৰিলে।"

ভাষা মানুহ জাতিৰ এটা অতি গৌৰৱৰ বস্তু, ঈশ্বৰৰ বিশেষ কৃপাত গোৱা এটা অমূল্য দান। ভাষা কি?

ব্যাকৰণ শাস্ত্র মতে যি অর্থ থকা মাতেৰে একজন মানুহে আন একজন মানুহৰ আগত নিজৰ মনৰ ভাব প্রকাশ কৰিব পাৰে, বা পৰস্পৰে পৰস্পৰৰ মনোভাব প্রকাশ কৰিব পাৰে তাকে ভাষা বোলে। আদিতে মানুহে ঠাৰে-চাঁহাৰে বা চিত্র আঁকি নিজৰ মনৰ ভাব আনক বুজাইছিল ; তাৰ পাছত শব্দেৰে বুজাইছিল। ভাষাবিদ্ পণ্ডিতসকলে শব্দবিলাকৰ উৎপত্তিৰ কাৰণ চাৰিটা বুলি নির্দ্দেশ কৰিছে। যেনে—

(১) অনুকৰণ—কাউৰীয়ে কা-কা বা কোৱা-কোৱা কৰি উৰি যোৱাৰ নিমিত্তে তাৰ নাম হল কাক, কাউৰী বা কোৱা ; মেকুৰীয়ে মেঁও মেঁও কৰাৰ নিমিত্তে তাৰ নাম হল মেকুৰী ; জি-জি কৰি মতা বাবে জিলি ; কু-উ কু-উ বুলি মাতে ওলে কুলি ; কু-কু-কু বুলি বাও কৰে ওলে কুকুৰ বা কুকুৱা। এই শব্দানুকৰণক মোক্ষমূলাৰে "Bow-wow theory" নাম দিছে।

(২) ভাৱ-প্রকাশ বা অনুভূতি—যেনে, উস্, আস্, ওঁ, ছি, ইত্যাদি। এনেকুৱা ভাৱ-প্রকাশক মোক্ষমূলাৰে "Pooh-pooh theory" বুলিছে।

(৩) উপমা—যেনে, ভৰি,—গাৰ ভৰ পদৰ ওপৰত পৰা বাবে সৰু গাঁঠিৰ তলৰ চেপেটা ভাগক আমি ভৰি (Foot) বোলোঁ।

গল-বিচনী,—গৰুৰ ডিঙিৰ তলত বিচনীৰ দৰে ওলমি থকা ছাল চটাক আমি গল-বিচনী বোলোঁ।

(৪) অনুকথোক্তি—ছাইমুৱা, শিতলচকুৱা, ইত্যাদি। কোনো পণ্ডিতৰ মতে সাঙ্কেতিক শব্দ-মূল অর্থাৎ যা, যা ইত্যাদি ধাতুবিলাকো শব্দৰ উৎপত্তিৰ এটা কাৰণ।

এক, দুই বা ততোধিক শব্দাংশৰ (Syllable) সমষ্টিয়েই একোটা শব্দ। শব্দ, বিভক্তি আক বাক্য এই তিনিটা ভাষাৰ অঙ্গ। আদিতে প্রায় অধিকাংশ শব্দাংশৰ শব্দ এটা শব্দাংশৰ দ্বাৰাই গঠিত হৈছিল। এতিয়াও বঢ়ী ভাষাত Mono-syllable-অৰ প্রাধান্য দেখা যায়।

কথিত ভাষাক আমি সাধাৰণতঃ মত বা দোৱান (Dialect) বোলোঁ। যদিও কোৱা ভাষা লিখিত ভাষাৰ মূল, তথাপি ভাষাবিজ্ঞানে, অন্ত কি ব্যাকৰণেও লিখিত ভাষাকহে ভাষা বুলি স্বীকাৰ কৰে। চিত্রাত্মক ভাষাৰ পৰা ক্রমে বর্ণমালাৰ আবিষ্কাৰ নোহোৱা পর্য্যন্ত ভাষা কেৱল কথিত অৱস্থাত আছিল। সেই অৱস্থাতেই বেদৰ শ্লোক বিলাক ৰচিত হৈছিল। ঋষি সকলে মুখে মুখে আওৱাই শ্লোকবিলাক গাইছিল।

ভাষা বাক্যৰ দ্বাৰা আক বাক্য শব্দৰ দ্বাৰা গঠিত হয়। লিখিত ভাষা প্রচলন হোৱাৰ আগেয়ে মানুহে যেনে তেনেকৈ শব্দ যোজনা কৰি মনৰ ভাব প্রকাশ কৰিছিল। কেতিয়াবা স্বভাৱতে মনৰ ভাব শ্লোক বা পদ্য বা যোজনা ৰূপে মুখৰ পৰা ওলাইছিল। মানুহে সাধাৰণতঃ গদ্যতকৈ পদ্য ভাল পাইছিল।

এদিন মহর্ষি বাল্মিকিয়ে গা ধুবলৈ গৈ দেখিলে চাঁচেচকেৰা এহাল আপোন-হেৰোৱা হৈ সুখত বিভোৰ ; এনেতে অকস্মাৎ নির্দ্দয় ব্যাধৰ কাঁড়ে এটিক বিন্ধিলে ; চৰাইটি গছৰ ডালৰ পৰা ধুপুচ্ কৰে মাটিত পৰিল ; ব্যাধে দৰি জোঙ্গাত ভৰাই আকৌ ইটিলৈ কাঁড় টোৱালে ; মহর্ষিৰ মনত বৰ দুখ লাগিল ; তেতিয়া অন্তৰৰ তলৰ পৰা এটি শোকৰ কবিতা ওলাল :—

"মা নিষাদ! প্রতিষ্ঠা ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্রৌঞ্চ-মিথুনাদেকমবধীঃ কামমোহিতম্॥"

সেয়ে জগতৰ আদি কবিৰ আদি শ্লোক।

আমাৰ দেশৰ অতি পুৰণি পটন্তৰ, সাঁথাৰ, মন্ত্র আক বিয়া সবাহৰ নামবিলাক লিখিত ভাষা প্রচলন হোৱাৰ পূর্ব্বেই নিবন্ধক মানুহৰ দ্বাৰাই ৰচিত হৈছিল।

কোৱা কথা নাপাহৰিবৰ কাৰণে আক দূৰৈৰ মানুহক জনাবৰ নিমিত্তে কিছুমান আঁক্ বা সাঙ্কেতিক চিনৰ আৱশ্যক হোৱাত আখৰ বা বর্ণৰ উদ্ভাৱন হল। আখৰ-বিলাকে শব্দৰ উচ্চাৰণো বুজায়।

"ছান্দোগ্য উপনিষদত" আছে,—

"সর্ব্বে স্বৰাঃ ইন্দ্রস্য আত্মানঃ।
সর্ব্বে উষ্মানঃ প্রজাপতেৰাত্মানঃ,
সর্ব্বে স্পর্শাঃ মৃত্যোৰাত্মানঃ"।

অর্থাৎ স্বৰবর্ণবিলাক ইন্দ্রই উদ্ভাৱন কৰে, প্রজাপতি সোম বা চন্দ্রই শ, ষ, স, হ, এই চাৰিটি উষ্মবর্ণ উদ্ভাৱন কৰে, আক ভগবান শিৱই ক আখৰৰ পৰা ম আখৰলৈকে স্পর্শবর্ণবিলাক উদ্ভাৱন কৰে।

ঋগ্বেদত আছে,—

"দেবীং বাচমজনয়ন্ত দেৱা।"

দেৱতা সকলেই বাগ্দেৱীৰ অর্থাৎ ভাষাৰ জন্মদাতা। সেই ভাষাক গীৰ্বান বাণী আক তাৰ বর্ণমালাক ব্রাহ্মী আখৰ বোলে। গীৰ্বান বাণী দেৱৰ ভাষা। সেই ভাষাক সংস্কাৰ কৰিলত তাৰ নাম হল সংস্কৃত ভাষা।

বাগ্ভট্টই কৈছে,—

"সংস্কৃতং স্বর্গিনাং ভাষা শব্দশাস্ত্রেষু নিশ্চিতা।"

অর্থাৎ সংস্কৃত স্বর্গবাসী দেৱতা সকলৰ ভাষা।

"সংস্কৃতং দেৱতাবাণী কথিতা মুনিপুঙ্গবৈঃ।
(কাব্য—চন্দ্রিকা)

অর্থাৎ শ্রেষ্ঠ মুনি সকলে কৈ গৈছে যে সংস্কৃত ভাষা দেৱতাসকলৰ বাণী। দেৱনগৰ বা স্ববলয়ত উদ্ভাৱন হোৱা বাবে ব্রাহ্মী আখৰক দেৱনাগেৰী বুলিও কোৱা হয়।

বৰ্ত্তমান কালৰ দেৱনাগেৰী আখৰতকৈ ব্ৰাহ্মী আখৰৰ গঢ় অলপ লৰ আছিল। ভাৰত-সম্ৰাট অশোকৰ দিনৰ যিবিলাক খোদিত লিপি আবিষ্কৃত হৈছে, তাৰ কিছুমানৰ আখৰ ব্ৰাহ্মী আৰু কিছুমানৰ আখৰ খৰোষ্টি বুলি পণ্ডিত সকলে স্থিৰ কৰিছে। ব্ৰাহ্মী আখৰ বাওঁ ফালৰ পৰা সোওঁ ফাললৈ আৰু খৰোষ্টি আখৰ সোওঁ ফলৰ পৰা বাওঁ ফাললৈ লিখা হয়। ডাক্তৰ ভাণ্ডৰকাৰ (Sir R. G. Bhandarkar, M. A., Ph.D., K. C. I. E.) মহোদয়ে তেওঁৰ "A Peep into the Early History of India" পুথিৰ ১২ পিঠিত কৈছে, "Brahmi is the earliest form of our modern Devanagari." ব্ৰাহ্মী বা দেৱনাগৰী বৰ্ণমালা সম্পূৰ্ণ, সৰ্ব্বাঙ্গ সুন্দৰ আৰু বৈজ্ঞানিক প্ৰণালীত শ্ৰেণীবদ্ধ। এই বৰ্ণমালা আদিতে মুখে মুখে পুৰুষানুক্ৰমে চলি অহাৰ কথা প্ৰাতিসাখ্য নামে স্বৰ-বিজ্ঞান শাস্ত্ৰত পোৱা যায়। লিখিত ভাষাৰ প্ৰচলন হলত মন্ত্ৰবিলাক প্ৰথমে তামৰ পাতত লিখা প্ৰথা আছিল। পাছে, ভূৰ্জ্জপত্ৰ, সাঁচিপাত, তালপাত, মাটিৰ পাত্ৰ আৰু শিলতো লিখা নিয়ম হয়। তুলাপাতৰ ব্যৱহাৰ ৩০০ মান বছৰৰ পৰা হৈছে।

সপ্তম খৃষ্টাব্দত প্ৰাগ্‌জ্যোতিষাপতি ভাস্কৰ বৰ্ম্মাই হংসবেগ নামে কটকীৰ হাতত উত্তৰ ভাৰতৰ সম্ৰাট শিলাদিত্যলৈ যিবিলাক উপঢৌকন পঠাইছিল, তাৰ লগত তেওঁ এখন সাঁচিপাতত লিখা পুথি পঠোৱাৰ কথা বুৰঞ্জীৰ পৰা জনা যায়। সেই পুথিখন আমাৰ দেশৰ "ডাক-ভণিতা" বুলি অনেকে অনুমান কৰে। অতি প্ৰাচীন কালৰ পৰাই যে আমাৰ দেশত সাঁচিপাতৰ ব্যৱহাৰ আছিল, তাত সংশয় নাই।

বেদৰ ভাষা (গীৰ্বান বাণী) প্ৰচলিত সংস্কৃত ভাষাতকৈ কিছু কঠিন। বেদৰ ভাষাক ব্যাকৰণ মতে সংস্কাৰ কৰি ললত তাৰ নাম সংস্কৃত হয়। প্ৰাকৃত মানে ভাষাৰ প্ৰাকৃতিক অৱস্থা বা জনসাধাৰণৰ কোৱা ভাষা। সংস্কৃত বিদ্যাৰত্ন লোকৰ ভাষা। "বিদ্বাংসো হি দেৱাঃ"। বিদ্যাৱন্ত লোকেই দেৱ। সেই বাবেই সংস্কৃত দেৱভাষা বুলিও কোৱা হয়। প্ৰাচ্য পণ্ডিত সকলৰ মতে প্ৰাকৃত সংস্কৃতৰ পৰা ওলাইছে। পাশ্চাত্য পণ্ডিত সকলৰ মতে সংস্কৃতৰ দৰে প্ৰাকৃতৰো বৈদিক ভাষাই জননী। বোধ কৰোঁ পাশ্চাত্য পণ্ডিতসকলৰ মতেই ঠিক। কিয়নো, ঋগ্বেদত এনে কোনো কোনো শব্দ আছে, যাৰ ব্যৱহাৰ প্ৰাকৃতত আছে, কিন্তু সংস্কৃতত নাই, যেনে, "কুশাৰ" এই শব্দটো সংস্কৃতত নাই, কিন্তু প্ৰাকৃতত আছে। আমি কুশাৰক কুঁহিয়াৰ কওঁ, উত্তৰবঙ্গ আৰু শ্ৰীহট্টৰ মানুহে কুশিয়াৰ কয়।

পাশ্চাত্য পণ্ডিতসকলে পৃথিবীৰ প্ৰধান প্ৰধান ভাষাবিলাকক কেবাটাও শ্ৰেণীত বিভক্ত কৰিছে। তাৰ ভিতৰত Indo-European ভাষা-বিভাগেই ওখ আসন পাইছে। সেই বিভাগটোকে আকৌ ফালি ৯টা তলতীয়া ভাগত বিভক্ত কৰা হৈছে। সেই ৯টা ভাগৰ এটা ভাৰতীয় ভাষাৱলী। এই ভাৰতীয় ভাষাৱলীৰ ভিতৰত প্ৰধান হৈছে,—প্ৰাকৃত, পালী (পল্লীৰ ভাষা), সিংহলী, অসমীয়া, বঙ্গলা, উড়িয়া, নেপালী বা গুৰমুখী, কাশ্মীৰী, সিন্ধী, পঞ্জাবী, গুজৰাটি, মহাৰাষ্ট্ৰী, হিন্দী, উৰ্দ্দু বা হিন্দুস্থানী, ডাৰ্ডিস্থানী আৰু ৰোমাণী (এজাতি অঘৰী মানুহৰ ভাষা)। ঘাইকৈ সংস্কৃত আৰু প্ৰাকৃতৰ পৰা অসমীয়া ভাষা ওলাইছে।

অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ সভাপতি স্বৰূপে শ্ৰদ্ধাস্পদ বেজবৰুৱা ডাঙ্গৰীয়াই কৈছিল,—

"প্ৰাচীনত্বৰ হিচাপত অসমীয়া ভাষা, সাহিত্য আৰু লিপি ভাৰতৰ আন কোনো প্ৰাদেশিক ভাষা, সাহিত্য আৰু লিপিতকৈ তলখাপৰ নহয় বুলি মোৰ দৃঢ় বিশ্বাস। পোনতে খুব সম্ভৱ অসমত ব্ৰাহ্মীলিপি প্ৰচলিত আছিল। কামাখ্যাৰ মঠ মন্দিৰ নিৰ্ম্মাণ কৰা কালত এই লিপি ব্যৱহৃত দেখা যায়।"

অসমীয়া ভাষা।

অসমা সুষমা কাম্যকাননা কামৰূপক, আমাৰ চেনেহী জন্মভূমি অসমক, পুৰাণ আৰু তন্ত্ৰই 'দেবীক্ষেত্ৰ' বুলিছে। "কালিকা পুৰাণত" আছে,—

"দেবীক্ষেত্ৰং কামৰূপং বিদ্যতেঽন্যত্ৰ ন তৎসমম্।
অন্যত্ৰ বিৰলা দেবী কামৰূপে গৃহে গৃহে॥"

কামৰূপ দেবীক্ষেত্ৰ; ইয়াৰ নিচিনা ঠাই পৃথিবীৰ ক'তো নাই, অৰ্থাৎ ই সকলো বিষয়ে অসমা; আন ঠাইত দেবী বিৰলা, কিন্তু কামৰূপত ঘৰে ঘৰে দেবী আছে।

প্ৰজাপতি দক্ষই তেওঁৰ জীয়েক সতীৰ বিয়াত হেনো এই দেশখন যৌতুক স্বৰূপে উছৰ্গি দিছিল।

"সৰ্ব্বশ্ৰেষ্ঠ যথা বিষ্ণুৰ্লক্ষ্মী সৰ্ব্বোত্তমা যথা।
দেবীপূজা তথা শস্তা কামৰূপে সুৰালয়ে॥"
কালিকাপুৰাণ।

সম্ভৱতঃ তান্ত্ৰিক দেবীপূজা প্ৰথমে এই দেশতে আৰম্ভ হৈছিল। কিয়নো, কামৰূপৰ কামাখ্যাই মহামায়া আদ্যাশক্তিৰ মূল মূৰ্ত্তি বুলি "কালিকাপুৰাণত" লিখা আছে। প্ৰায় সকলো তন্ত্ৰশাস্ত্ৰ কামৰূপত ৰচিত হোৱা বুলি জনা যায়।

দেবীক্ষেত্ৰ বুলিয়েই নে কি আমাৰ ভাষা আৰু সাহিত্যৰ ওপৰত মাতৃজাতিৰ প্ৰভাৱ সুন্দৰকৈ দেখা যায়। আমাৰ ভাষাটোক স্বভাৱ-সুন্দৰী বন-কুৱঁৰী ঋষি-কন্যাৰ লগত ৰিজাব পাৰি। সুন্দৰ সুন্দৰ বন-ফুল ফুলৰ কলি, কুঁহিপাত, লতা, ধুনীয়া চৰাইৰ পাখী, এই স্বভাৱসুলভ বস্তুবিলাকেই ঋষিকন্যাৰ আভৰণ কুশবনৰ বা কুঁহিলাৰ কঠ বা মৃগ-পহুৰ ছাল তেওঁৰ আসন। বনৰ ফল-মূল, গৰুৰ গাখীৰ আৰু নৈ বা নিজৰাৰ নিৰ্ম্মল পানী, তেওঁৰ আহাৰ। সেৱা-সৎকাৰ তেওঁৰ ঘাই কৰ্ম্ম। সচ্চিদানন্দ জ্যোতিৰ্ম্ময় ব্ৰহ্মৰ উদ্দেশে হোমৰ গুৰিত বহি বেদ গান কৰা তেওঁৰ ধৰ্ম্ম। মণি-মুকুতা লগোৱা সোণৰ বহুমূলীয়া অলঙ্কাৰ বা গুণাৰ বন কৰা পাট-কাপোৰ তেওঁৰ গাত নাই। আমাৰ ভাষাতো বিদগ্ধ পণ্ডিতৰ কঠিন সংস্কৃতীয়া বাক্যালঙ্কাৰ নাই, দীঘল-ডাঙৰ দুৰ্ব্বোধ্য শব্দাৱলীৰ আড়ম্বৰ নাই। আমাৰ ভাষা এনে কোমল, এনে মধুৰ, এনে সুৰলা আৰু স্বাভাৱিক যে সঁচাকৈয়ে তাক ঋষি-কন্যাৰ নিচিনা, প্ৰকৃতি-সুন্দৰী অসম-মাতৃৰ মধুৰ বাণী বুলিব পাৰি; খহটা কঠিন শব্দও মাতৃৰ মুখত পৰি নিমজ হৈছে। ইয়াক সঙ্গীতৰ ভাষা বুলিব পাৰি।

"বাগ্দেৱী সৰস্বতী।" তেওঁক—

"বীণাপুস্তক ৰঞ্জিত হস্তে,
ভগৱতী ভাৰতী দেৱী নমস্তে,

এই বুলি নমস্কাৰ কৰা হয়।

আমি সৰুতে আইৰ মুখৰ পৰা শিকিছিলোঁ :—

সৰস্বতী, সৰস্বতী,
কণ্ঠে কলাপি ভোগ বিলাপী,
মকৰাৰ চন্দন,
লোকে বলে সৰস্বতী, আমি বলোঁ আই,
যিখিনি পাহৰো দিবা সোঁৱৰাই।"

"আই", এই মাতটো আমাৰ মনত মৌ-বৰষা যেন লাগে, সেই বাবেই আমাৰ শাস্ত্ৰত কৈছে—"কন্যাপেবং পালনীয়া শিক্ষানীয়াতি যত্নতঃ।"

আমাৰ ভাষাক আমি মাতৃ-ভাষা বোলোঁ, পিতৃভাষা নোবোলোঁ। আমাৰ দেশকো আমি মাতৃ-ভূমি কওঁ, পিতৃভূমি বুলি নকওঁ। "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী"।—এইকথাষাৰতো জননী আৰু জন্মভূমিশ্চ স্বৰ্গতকৈও শ্ৰেষ্ঠ বোলা হৈছে। মাতৃজাতি আমাৰ জননী। মাতৃ কুৰূপা হলেও সন্তানৰ মনত সুৰূপা। মাতৃৰ কোলাত মাতৃৰ পীয়াহ খোৱাৰ লগে লগে সন্তানে মাতৃৰ মুখৰ পৰা প্ৰথমে ভাষা শিকে। সন্তানৰ আধা ফুটা মাত মাতৃয়ে লাহে লাহে শুধৰাই নিয়ে; অমাতৰ মুখত মাত শুনি মাতৃয়ে অপাৰ আনন্দ পায়; ন ন কথা ন ন ভাৱেৰে, ন ন উপদেশেৰে মাতৃয়ে সন্তানক মানৱতাৰ ফালে আগবঢ়াই নিয়ে। সৰুকালত মাকৰ মুখৰ পৰা শুনা মাত কথা নাম গীত, সাধুকথা, সাঁথৰ পটন্তৰ আদি চিৰজীৱনলৈ সন্তানৰ মনত ৰৈ যায়। সেইবিলাক শুনিবলৈ কেনে ভাল লাগে! আইয়ে সৰু-কালত সন্তানক যি সাঁচত গঢ়ি তোলে, সেই সাঁচ আজীৱন ৰৈ যায়। আইৰ পৰা সৰুতে শিকা মাত-কথাই আমাৰ ভাষাৰ হিমেজু। এই দেশৰ লক্ষ লক্ষ মাতৃয়ে এই দেশত উপজি লক্ষ লক্ষ সন্তানক আজি কত হাজাৰ বছৰৰ পৰা যি মাত-কথা শিকাই গৈছে, এতিয়াও শিকাব লাগিছে, আগলৈকো শিকাই থাকিব,

সেই মাত-কথাই আমাৰ লাহৰী অসমৰ সুৱদী ভাষা। ভাষাৰ ওপৰত মাতৃ-জাতিৰ কিমান প্ৰভাৱ।

আমাৰ দেশৰ কিছুমান আই-নাম, বিয়া-নাম, বিহু নাম, নিচুকনি-গীত, গৰখীয়া-গীত বা বন-গীত, সাঁথৰ আৰু পটন্তৰ অতি পুৰণি। শ শ বছৰৰ আগৰ পৰা নাম-গীত আদিয়ে আজিলৈকে অসমীয়াৰ মনত সন্তোষ দি আহিছে। এই বিলাকৰ কিছুমান যে আইসকলৰ দ্বাৰা ৰচিত, তাত সংশয় নাই। কোন কাহানিবা কোন গাভৰুৰ মনত এই বিলাক ভাবৰ ঢৌ উঠিছিল, কোনে কব, কিন্তু ফুল শুকালেও সুগন্ধ ৰৈ যোৱাৰ নিচিনাকৈ তেওঁলোকে ইহ সংসাৰৰ লীলা-খেলা সামৰি গলেও, তেওঁলোকে ভাষাত প্ৰকাশ কৰি যোৱা ভাবৰাশিয়ে আজিও অসমীয়াৰ প্ৰাণত স্পন্দন তুলি আছে।

আমাৰ ভাষা ঘাইকৈ দেৱভাষা সংস্কৃত আৰু প্ৰাকৃতৰ পৰা ওলাইছে। সংস্কৃতৰ কঠুৱা শব্দাৱলী আমাৰ সেমেকা দেশত সেমেকি মাতৃৰ কোমল মুখত পৰি কোমল হৈ আমাৰ ভাষাত ঠাই পাইছে, তাৰ কেইটিমান উদাহৰণ দিয়া হল :—

সংস্কৃত	অসমীয়া
অঞ্জলি	আজলি
অগ্ৰমাংসম্	আগমঙ্গহ
আৰ্য্যিকা	আই, আইতা
উদ্গাৰঃ	উগাৰ
উদ্ধানাম্	উধান
উলুখলম্	উৰল
জ্যোৎস্নঃ	জোন
কপিঞ্জলঃ	কইৰ
কৰ্পটঃ	কাপোৰ
সংস্কৃত	অসমীয়া
কুম্ভজলৌকা	কুমজেলুকা
কোপীনম্	কপিং
গলগণ্ডঃ	গৰল
ডল্লকম্	ডলা
দিব্যলাৱণ্যবতী	দিপলিপ
নপ্ত্ৰী	নাতি
কচ্ছোটিকা	কাছুটি
কিন্নু	কিয়নো
ধুস্তূৰঃ	ধুতুৰা
আস্তৃত (প্ৰাকৃত, অথ্বঅ)	আঠুৱা
পৰ্য্যঙ্কঃ	পালেং
প্ৰায়শ্চিত্তম	পৰাচিত
প্ৰোষ্ঠী	পুঠিমাছ
প্লীহা	পিলা
ফুৎকাৰঃ	ফু
ব্যাঘ্ৰঃ	বাঘ
বড্ৰম	বৰ (ডাঙৰ)
ভূমিকম্প	ভূইকঁপ
ৰৌদ্ৰঃ	ৰ'দ
ৱ্যঞ্জনম্	আঞ্জা
স্তৱক	থোক
সংস্কৃত	অসমীয়া
স্থালী	থালী
অৱৰোধনী	ওৰণী
শ্লাঘা	শলাগ
বাঢ়ং	বাৰু
লঙ্ঘন	লঘোন
লৱঙ্গম	লং
শিঙ্ঘনঃ	শেঙুন
শিৱস্থানম্	শিতান

আমাৰ ভাষাৰ ৱ আখৰটোৰ উচ্চাৰণ সংস্কৃতৰ নিচিনা। আমাৰ ভাষাত পদ্ম, ছদ্ম আদি মকাৰান্ত শব্দ উচ্চাৰণ কৰোতে শেষৰ 'ম' আখৰটো মাতো বঙ্গালীয়ে পদ্মক পদ্দ, ছদ্মক ছদ্দ বুলি উচ্চাৰণ কৰে। কিন্তু আমাৰ উচ্চাৰণহে শুদ্ধ। প্ৰাকৃতত সকৰ্ম্মক ক্ৰিয়াৰ আগত থকা কৰ্ত্তা কাৰক একাৰান্ত হয় আমাৰ ভাষাতো সেয়ে হয়। যেনে ৰামে ভাত খালে, বঙ্গলাত 'ৰাম ভাত খাইল'। প্ৰাকৃতত মূৰ্দ্ধণ্য 'ষ', ৰ উচ্চাৰণ

'খ' ৰ নিচিনা হয়। আমাৰ ভাষাতো বিকল্পে খ হয় যেনে—মোৰ গাটো বিখাইছে। প্ৰাকৃতৰ দৰে আমাৰ ভাষাত দ্বিবচন নাই। শ, ষ, স, এই তিনিও আখৰক আমি কণ্ঠৰ পৰা উচ্চাৰণ কৰোঁ। আন প্ৰায় কোনো জাতিয়ে তেনেকৈ উচ্চাৰণ নকৰে। আমাৰ ভাষাৰ ই এটা বিশিষ্টতা। সুদূৰ অতীজত যে আৰ্য্য জাতিয়ে দন্ত্য স, আখৰটো আমাৰ দৰে উচ্চাৰণ কৰিছিল, তাৰ প্ৰমাণ স্বৰূপে হিন্দু আৰু হিন্দুস্থান শব্দলৈ আঙুলিয়াব পাৰোঁ। সিন্ধু নদীৰ নামৰ পৰা হিন্দু আৰু হিন্দুস্থান হৈছে। অগ্নিৰ উপাসক পাৰ্ছি জাতিৰ "জেন্দ আবেস্তা" পুথিত 'স ৰ' উচ্চাৰণ 'হ' হোৱা পোৱা যায়। যেনে অহুৰ মজদ্ (অসুৰ মহতৰ অপভ্ৰংশ) আমাৰ পৰ্ব্বতীয়া জাতিবিলাক আমাৰ নিচিনাকৈ শ, ষ, স, উচ্চাৰণ কৰিব নোৱাৰি সেই তিনিওটাকে হ, বুলি মাতে। আহোমবিলাকেও তাকে কৰিছিল। আহোম ৰাজত্বত আমাৰ অনেক শব্দৰ শ, ষ, স, উচ্চাৰণ দোষত বিকৃত হৈ হ হয়। যেনে—পশু-পহু, বিষ-বিহ পিয়াস-পিয়াহ ইত্যাদি। আমাৰ পুৰণি পুথিবিলাকত এই বিকৃতি দেখা নাযায়। আমি চ, ছ, এই দুইকো সংস্কৃতৰ 'স' আখৰৰ দৰে উচ্চাৰণ কৰোঁ। ইও এক বিশিষ্টতা।

সংস্কৃত ভাষাৰ ক্ৰিয়াপদ আৰু বিভক্তিৰ লগত আমাৰ কিছু সাদৃশ্য আছে। যেনে—

সংস্কৃত	অসমীয়া
কৰোমি	কৰো
কৰিষ্যামি	কৰিম
কুৰু	কৰা
শৃণুহি	শুনাহি

সংস্কৃত ভাষাত ইন্দ্ৰানি, ব্ৰহ্মাণী, নাৰায়ণী বুলিলে, ইন্দ্ৰ, ব্ৰহ্মা, নাৰায়ণৰ ভাৰ্য্যা বুজায়। আমাৰ ভাষাতো বৰুৱানী, ৰাজখোৱানী শইকীয়ানী বুলিলে বৰুৱা, ৰাজখোৱা, শইকীয়াৰ, ঘৈণীয়েক বুজায়। কিন্তু বঙ্গভাষাত কোনো ঘোষ, বসু, মিত্ৰ, গুহ আদিৰ ভাৰ্য্যাৰ বিষয়ে লিখিব লাগিলে ঘোষ-জায়া, বসু জায়া বুলিহে লিখা দেখা যায়। কোনেও ঘোষণী মিত্ৰনী বুলি নিলিখে আৰু নকয়।

সংস্কৃত ভাষাৰ "সঃ" শব্দটো আমাৰ ভাষাত "সি," ইংৰাজীত "He" হয়। সংস্কৃতৰ "সা" সব্দটো আমাৰ ভাষাত "তাই" ইংৰাজীত "She" হয়। কিন্তু বঙ্গভাষাত পুৰুষকো "সে" আৰু তিৰোতাকো "সে" বোলা হয়। সেই ভাষাত "She" বুজাবলৈ আমাৰ দৰে কোনো সুকীয়া শব্দ নাই।

আমাৰ মানুহে সাধাৰণতঃ যিবিলাক সাজপাৰ ব্যৱহাৰ কৰে সেই বিলাকৰ নাম সংস্কৃতত পোৱা যায়। যেনে,—

সংস্কৃত	অসমীয়া
মেখলা (Under skirt)	মেখেলা
ৱৃহতিকা	ৰিহা
চোলঃ	চোলা
চেল্‌ম্	চেলেং কাপোৰ
চোটীকা	চুৰীয়া
নিচোলঃ	খণীয়াকাপোৰ
কচ্ছোটিকা	কাছুটি
কৌপীনম্	কপিং
মণি (neck ornament]	মণি
কৰ্ণেন্দুঃ	কেৰু
কৰ্ণিকা	কৰিয়া
গণ্ডুঃ	গাড়ু, গৰু
তুলী	তুলী
মশহৰী	মহৰী
নীশাৰঃ	নীহালি

Nagative বুজুৱা "ন"—টো সংস্কৃতৰ দৰে আমাৰ ভাষাতো ক্ৰিয়াৰ আগত বহে। যেনে,—

সংস্কৃত	অসমীয়া
ন কৰোমি	নকৰোঁ

বঙ্গলা ভাষাত সেই "ন" টো সদায় "না" ৰূপে ক্ৰিয়াৰ পাছত বহে। যেনে,—"আমি কৰি না।"

আমাৰ ভাষাত "ন" যি ক্ৰিয়াৰ আগত বহে সেই

ক্রিয়াপদৰ প্ৰথম আখৰৰ স্বৰবৰ্ণৰ ৰূপ ধাৰণ কৰে। যেনে, খা ধাতু আকাৰান্ত হোৱাত তাৰ আগত বহা "ন" টো "না" হয়। সেই দৰেই নাখাওঁ নিগিলোঁ, নুসুমাও, নোধোওঁ ইত্যাদি হয়। ক্ৰিয়াৰ প্ৰথম আখৰটো আকাৰান্ত হলে তাৰ আগৰ "ন"—টো বিকল্পে "নে" হয়। যেনে, নাযাওঁ নেযাওঁ। নাখাওঁ, নেখাওঁ।

আমাৰ দাঁতি-কাষৰীয়া পৰ্ব্বতীয়া জাতি বিলাকৰ ভাষা, আৰবী, ফাৰ্চী হিন্দী, বঙ্গলা আৰু ইংৰাজী ভাষাৰ অনেক শব্দ আমাৰ ভাষাত সোমাই থিতাপি লৈছে। তাৰ পৰা আমাৰ শব্দ-সম্পদ বঢ়াত ভাষাৰ শ্ৰীবৃদ্ধি হৈছে, ভাষা শ্ৰীহীন হোৱা নাই। বঙ্গলা ভাষাতকৈ হিন্দী আৰু কাশ্মীৰী ভাষাৰ লগত আমাৰ ভাষাৰ মিল বেছি।

আমাৰ দেশৰ পৰ্ব্বতীয়া জিলাবিলাকত আমাৰ বৰ্ণমালা নচলাই (Roman) আখৰেদি বিদ্যাশিক্ষা দিয়া হৈছে। ৰোমান আখৰ আমাৰ দেশৰ উৎপন্ন বস্তু নহয়। ইয়াৰ প্ৰচলন অস্বাভাৱিক বুলি বোধ হয়। ইয়াৰ দ্বাৰা ভবিষ্যৎ অসমীয়া জাতি (Assamese Nation) গঠন কৰাত বাধা জন্মিব বুলি আশঙ্কা কৰোঁ।

স্বৰ্গীয় লম্বোদৰ বৰা ডাঙ্গৰীয়াই "জোনাকীত" লিখিছিল,—

"আমাৰ ভাষা সংস্কৃতৰ পৰা ওলাইছে। সি কঠিন ভাষা, তাৰ অৰ্থ কঠিন, উচ্চাৰণ কঠিন, ব্যাকৰণ মতে শব্দ গঠন কঠিন। আমি দেখাৰ ভিতৰত বেদৰ ভাষাই সংস্কৃতৰ আদি মূৰ্ত্তি। বেদৰ ভাষা অতি কঠিন। এতেকে তাৰ দ্বাৰাই সহজে কাম চলা টান। মানুহৰ ভাষা মেঘ বতাহৰ দৰে স্বাধীন আৰু পৰিবৰ্ত্তনশীল। তাক কোনেও বন্ধ কৰি একে দৰে ৰাখিব নোৱাৰে। তুমি যিমান শুদ্ধ অভিধান কৰা, যিমান ব্যাকৰণৰ কঠিন সূত্ৰ কৰা, যিমান লোকৰ মাজত শুদ্ধ ব্যাকৰণ, অভিধান আৰু সাহিত্য চলাই থাকা, তোমাৰ ভাষা মেঘ বতাহৰ দৰে সদায় মুক্ত চঞ্চল, আৰু পৰিবৰ্ত্তনশীল হৈ থাকিবই থাকিব। তুমি ক'বা বোলে সকলোৱে "উষ্ট্ৰ" উচ্চাৰণ কৰিব লাগে; কিন্তু কোনোৱে উচ্চাৰণ কৰিব "উষ্ট", কোনোৱে "উট্ৰ", তাৰ পাছত "উট", শেষত "উট" কোৱা আৰু লিখা হব। তুমি কবা, বিদেশী শব্দ আমাৰ ভাষাত সুমাব নালাগে; কিন্তু তোমাৰ কথা কোনে শুনে? লোকে সোপাসোপে বিদেশী শব্দ সুমাবই সুমাব। এই নিমিত্তে সংস্কৃততো "ইংৰেজ" শব্দ সোমাইছে। কঠিন ভাষা, কঠিন উচ্চাৰণ, কঠিন নিয়ম, কঠিন আৰু দীঘল শব্দ গুচাই মুকলি, উজু, আৰু চুম্বক কৰাই মানুহৰ স্বভাৱ। এই দৰে কত উচ্চাৰণ লৰে, কত আখৰ-যোটনি লৰে; কত নতুন শব্দ ওলায়, কত মূল আৰু উচ্চাৰণ হেৰায়, তাকে ভাবিলে মনত ৰং আৰু বিস্ময় লাগে। ভাষাৰ এই গুণ নিন্দনীয় নহয়; অৱশ্যে লিখিত ভাষাত সৰহকৈ আৰু আৱশ্যক নোহোৱাত বিদেশী শব্দ সুমালে তাৰ পৰা হানি হয়।"

ৰসায়ন-বিজ্ঞান, পদাৰ্থ-বিজ্ঞান, খনিজ-বিজ্ঞান, শৰীৰ-তত্ত্ব আদি বৈজ্ঞানিক বিষয়ৰ পুথি লিখিবৰ কাৰণে আমি কিছুমান শব্দ নকৈ আমাৰ ভাষাত গঢ়িব লাগিব। তাৰ নিমিত্তে অতি সোনকালে অসম সাহিত্য-সভাই এখন পৰিভাষা সমিতি গঠন কৰি এই কাৰ্য্যটি হাতত ল'ব বুলি আশা কৰিলোঁ।

অসমীয়া লৰা ছোৱালীয়ে উচ্চশিক্ষা পাবৰ নিমিত্তে তিনটা ভাষা শিকিব লাগে। নিজৰ ঘৰ সমাজ আৰু প্ৰদেশৰ বাবে মাতৃভাষা লাগে; ৰাজকাৰ্য্য চলাবলৈ আৰু অন্যান্য দেশৰ শিক্ষিত লোকৰ লগত আলাপ কৰিবলৈ আৰু উচ্চ জ্ঞান লভিবলৈ ইংৰাজী শিকিব লাগে আকৌ, হিন্দুৰ ধৰ্ম্মশাস্ত্ৰাদি জানিবলৈ হিন্দু সন্তানে সংস্কৃত, মুছলমানৰ ধৰ্ম্মশাস্ত্ৰাদি জানিবলৈ মোছলেম্ সন্তানে আৰবী বা ফাৰ্চী শিকিব লাগে। সংস্কৃত আৰু হিন্দী ভাষাৰ বৰ্ণমালা দেৱনাগেৰী। ভাৰতবৰ্ষৰ অধিকাংশ লোকৰ ভাষা হিন্দী বা হিন্দুস্থানী। হিন্দুস্থানী ভাষাক উৰ্দ্দু বুলিও কয়। হিন্দীৰ লগত আৰবী আৰু ফাৰ্চী শব্দ মিহলাই ভাৰত-সম্ৰাট আকবৰে উৰ্দ্দু ভাষা চলায়। সময়ত হিন্দী ভাষা সমগ্ৰ ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা হ'ব বুলি আশা কৰা যায়। তেতিয়া দেৱনাগেৰী বৰ্ণমালাই ভাৰতৰ Common Script (সৰ্ব্বসাধাৰণৰ লিখা আখৰ) হ'ব। আমাৰ লৰা ছোৱালীয়ে সংস্কৃত ভাষা শিক্ষা কৰোঁতে

ইংৰাজী স্কুলত দেৱনাগেৰী লিখিবলৈ আৰু পঢ়িবলৈ শিকে। আমাৰ ভাষাৰ প্ৰচলিত বৰ্ণমালাৰ পৰিবৰ্ত্তে দেৱনাগেৰী আখৰ চলালে আগলৈ আমাৰ মানুহে সংস্কৃত আৰু হিন্দী সাহিত্যৰ পুথি আদি পঢ়িবলৈ উজু পাব। আদিতে আমাৰ বৰ্ণমালাও ব্ৰাহ্মী বা দেৱনাগেৰীৰ নিচিনাই আছিল। তুৰস্কত অনেক শ বছৰৰ পৰাই আৰবী আখৰৰ প্ৰচলন আছিল। এতিয়া গাজী কামাল পাশাই তাত লাটিন আখৰ চলাইছে। মোৰ বোধেৰে আমাৰ দেশতো প্ৰচলিত বৰ্ণমালাৰ সলনি দেৱনাগেৰী আখৰ চলোৱা বাঞ্ছনীয়।

স্বৰবৰ্ণৰ ঋ, ৯, ঌ, এই তিনটা আখৰৰ ব্যৱহাৰ আমাৰ ভাষাত একেবাৰেই নাই; সংস্কৃততো প্ৰায় নাই বুলিলেই হয়। উচ্চাৰণলৈ চাই এই কেইটা আখৰক স্বৰ নুবুলি অৰ্দ্ধস্বৰ-অৰ্দ্ধব্যঞ্জন বোলাহে উচিত হব। প্ৰাকৃত ভাষাত ঋ আৰু ঋ-ৰ উচ্চাৰণ নাই। এতেকে ঋ ৯, ঌ এই তিনটা অলাগতীয়া আখৰ আমাৰ বৰ্ণমালাৰ পৰা একেবাৰে উঠাই দিয়া ভাল দেখোঁ। আমাৰ ভাষাত ৰু, ৰূ, গু, শু, হু, হৃ, ত্ৰ, ভ্ৰু, ক্ৰ, এই দৰে নিলিখি সাধাৰণ নিয়মে লিখাৰ দিহা কৰিলে কোমল বয়সীয়া লৰা ছোৱালীয়ে লিখিবলৈ ভাল পাব বুলি বোধ হয়।

অসমীয়া সাহিত্য

ভাষা ভাবৰ বাহন। ভাষাৰ সাজ-পাৰ পিন্ধি ভাব ওলায়। ভাষা যেনিবা শৰীৰ, ভাব তাৰ আত্মা। ভাষাৰ দ্বাৰাই পৰস্পৰৰ মনোভাব সালসলনি কৰি মানুহে সঙ্ঘবদ্ধ হৈ সমাজ পাতি বাস কৰে। সমাজ বিস্তাৰৰ লগে লগে স্বদেশ আৰু স্বজাতিৰ বিকাশ হয়; সাহিত্য সেই বিকাশৰ প্ৰধান সহায়ক। যি দেশ বা জাতি যিমান উন্নত, তাৰ সাহিত্যও সিমান উন্নত।

সাহিত্য কি? "সাহিত্যম্—মেলনম্। সহিতস্য ভাবঃ ইত্যৰ্থে ষ্ণ্য প্ৰত্যয়নে নিষ্পন্নম্!"—শব্দকল্পদ্ৰুম। সহিত মানে সম্যক্ হিতঃ=সহিতঃ, তস্য ভাবঃ সাহিত্যঃ, এনেদৰেও অৰ্থ কৰিব পাৰি। লিখা পঢ়া আদি কাৰ্য্যৰ দ্বাৰাই জ্ঞান-বিস্তাৰ কৰি জন-সমাজৰ হিতসাধন কৰাই সাহিত্য। সি যি হওক, "সাহিত্য," এই শব্দটোৱে এটা সমষ্টিৰ বা সংহতিৰ মিলন বুজায়। ৰচনাত প্ৰাণৰ কথা, হিতজনক আৰু আনন্দদায়ক কথা, সুন্দৰকৈ ফুটাই লিখিব পাৰিলে সেই ৰচনা সাহিত্য হয়। সুন্দৰ ভাষা আৰু সুন্দৰ ভাব, বা মধুৰ ভাষা আৰু মধুৰ ভাব, এই দুইৰো মিলনেই সাহিত্য। সাহিত্য দুবিধ, গদ্য আৰু পদ্য। "কাব্যং ৰসাত্মকং বাক্যং।" কাব্য বুলিলে ছন্দ বা পদ্যত লিখা অনুভূতিমূলক ৰসাল কথা বুজায়। সাহিত্য ৰসাল হব লাগে। সত্যং শিৱং আৰু সুন্দৰং হব লাগে। অজ্ঞান আন্ধাৰত জ্ঞানৰ জোনাক দেখুৱাই হিতবাদৰ বাটেদি মানৱতাৰ ফালে মানুহক আগবঢ়াই নিবৰ উদ্দেশে সাহিত্যিকে লেখনী চলায়, কবিয়ে কবিতাৰ বীণ বজায়। সাহিত্যৰ ভিতৰত যাৱতীয় বিদ্যা চৌষষ্টি কলাত বিভক্ত হৈ আছে। যেনে,—

সঙ্গীত বিদ্যা, চিকিৎসা বিদ্যা, ৰসায়ন বিদ্যা, শিল্প বিদ্যা, নীতি শাস্ত্ৰ, অৰ্থশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ, শব্দকোষ, ব্যাকৰণ, ইতিহাস, জ্যোতিষ ইত্যাদি।

ভাষা-শিক্ষাই প্ৰকৃত জ্ঞান-শিক্ষাৰ উপায় মাথোন। ভাষা-শিক্ষা জ্ঞান-ভণ্ডাৰৰ দুৱাৰ স্বৰূপ। যিৰূপ জ্ঞান আৰ্জ্জিলে বুদ্ধিৰ বিকাশ হয়, ভ্ৰম আৰু কুসংস্কাৰ দূৰ হয় আৰু জগতৰ প্ৰকৃত নিয়ম-প্ৰণালী জানি কৰ্ত্তব্যাকৰ্ত্তব্য নিৰূপণ কৰি নিজৰ আৰু জনসমাজৰ সৰ্ব্বপ্ৰকাৰ হিত-সাধন কৰিব পৰা যায় তেনেকুৱা জ্ঞানৰ শিক্ষা লাগে। তেনেকুৱা জ্ঞান-ৰত্নেৰে আমি আমাৰ সাহিত্য-ভণ্ডাৰ পূৰ্ণ কৰিব লাগিব।

অসমীয়া সাহিত্য ভক্তি-প্ৰধান সাহিত্য। এই সাহিত্যই অসম-মাতৃৰ মুখত ভক্তিৰ জেউতি পেলাইছে। অসমীয়া সাহিত্যিক সকলে অভয়ৰ কৱচ পিন্ধি, সত্য আৰু অহিংসাক সাৰথি কৰি, সৰলতা আৰু সেৱা-পৰায়ণতাৰ বাটেদি হিতবাদৰ বিমল কিৰণ বিকীৰণ কৰিছে।

"মানুহেই লগ, মানুহেই সঙ্গ,
মানুহেই পৰাৎপৰ,
এই যে পৃথিবী স্বৰ্গতো অধিক,
মানুহৰ নিজাপী ঘৰ;

মানুহেই দেৱ, মানুহেই সেৱ,
মানুহ বিনে নাই কৈৰ।
কৰোঁ পূজা—অৰ্ঘ্য পাদোদক লৈ—
জয় জয় মানব দেৱ ."

এয়ে হৈছে অসমীয়া কবিৰ প্ৰাণৰ বাণিণী। সমুহ অসমীয়াক হিতবাদৰ ভাবেদি অনুপ্ৰাণিত কবি, সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ সেৱক কবি, কৰ্ম্মী, জ্ঞানী, ধৰ্ম্মী কবি, মানৱতাৰ ফালে ধীৰে ধীৰে আগ বঢ়াই নিয়াই অসমীয়া সাহিত্যৰ লক্ষ্য, অসমীয়া সাহিত্যৰ বিশিষ্টতা। অসমীয়া সাহিত্যই অসমীয়াৰ প্ৰাণত ধৰ্ম্ম আৰু জ্ঞানৰ, স্বদেশানুৰাগ আৰু স্বজাতিপ্ৰেমৰ, যি বীজ অঙ্কুৰিত কবিছে, সি যেন অজৰ অমৰ হৈ, ফলে ফুলে জাতিকাৰ হৈ মহা মহীৰুহত পৰিণত হয়, আৰু সেই দিব্য কল্পতৰুৰ শীতল ছাঁয়াত যেন সকলো অসমীয়া একে মুঠি হৈ বহি, ধৰ্ম্মভেদ, জাতিভেদ, সম্প্ৰদায়ভেদ পাহৰি, সমুহৰ হিতৰ কাৰণে দেশ জননীৰ বাণীৰ পূজাত প্ৰস্তুত হয়, ইয়াকেহে অনুক্ষণ কামনা কবিছোঁ।

আমাৰ দেশৰ শিতানত অভ্ৰভেদী গিৰিৰাজ হিমালয় মহাযোগী মহাদেৱৰ দৰে দণ্ডায়মান আছে। আমাৰ দেশৰ মাজেদি নদনদীৰাজ মহাবাহু ব্ৰহ্মপুত্ৰ মহাশক্তিৰ দৰে কত যুগযুগান্তৰ পৰা একে বাহে বৈ আছে। আমাৰ দেশতে ভাৰতৰ অন্নপোদয় হয়। অসমীয়া জাতি জ্ঞান, বিজ্ঞান, নীতি আৰু ধৰমত যেন হিমালয়ৰ দৰে উন্নত হয়; কৃষি, শিল্প, বাণিজ্যত যেন ব্ৰহ্মপুত্ৰৰ নিচিনা শক্তিশালী হয়; অসমৰ তৰুণে দেশ-দেশান্তৰৰ পৰা ন ন বিজ্ঞান বস্তু আনি যেন অসমৰ মুখ উজ্জ্বল কৰে; নৈতিক আৰু আধ্যাত্মিক ভেটিৰ ওপৰত অসমক যেন নকৈ গঢ়ি তোলে। জাপানৰ তৰুণ সকলেই জাপানক গঢ়ি তুলিলে; চীনৰ তৰুণ সকলেও চীনক নতুনকৈ গঢ়িব লাগিছে। অসমৰ তৰুণে কি হাত সাৱটি বহি থাকিব? অসমৰ মাতৃজাতি নাজাগিব নে? মাতৃজাতি জাগি উঠিলে আমাৰ মাতৃভূমি আৰু মাতৃভাষাৰ উন্নতিৰ সোঁত অতি বেগেৰে ব'ব। পুৱণি প্ৰাগজ্যোতিষৰ পৰাই যেনেকৈ একালত ভাবতে, আৰু জগৎবাসীয়ে জ্ঞান, ধৰ্ম্ম আৰু সভ্যতাৰ অৰুণালোক দেখিছিল, এতিয়াও যেন ইয়াৰ পৰাই আগতকৈও বেছিকৈ সেই আলোক শিখা বিকীর্ণ হয়। বিশ্বৰ জ্ঞান-ভঁৰালত যেন অসমৰ দান লেখত লৰ-লগীয়া হয়। অসমত যেন আমি শীঘ্ৰে এটি বিশ্ববিদ্যালয় স্থাপিত হোৱা দেখিবলৈ পাওঁ। ইয়াৰ নিমিত্তে যেন যথাবিহিত আন্দোলন চলি থাকে। গাৱে গাৱে পঢ়াশালি স্থাপিত হৈ অসমত প্ৰাথমিক শিক্ষা যাতে সোনকালে বাধ্যতামূলক হয়, আমি তাৰ নিমিত্তেও চেষ্টা কৰিব লাগে। কোনো অসমীয়া লৰাছোৱালী যেন নিৰক্ষৰ হৈ থাকিবলৈ নাপায়। কোৱা বাহুল্য যে সাধাৰণ শিক্ষা-বিস্তাৰ বা জ্ঞান-বিস্তাৰেই জাতীয় উন্নতিৰ মূল। আমাক লাগে জ্ঞান, বিবিধ জ্ঞান। সেই জ্ঞান আমাৰ মাতৃ-ভাষাৰ ভিতৰেদি পাবৰ নিমিত্তে, আমি আমাৰ সাহিত্যক বিবিধ বত্নমণিৰে বিভূষিত কৰিব লাগিব। বিবিধ জ্ঞান-বিজ্ঞানৰ পুথি আমাৰ ভাষাত লিখি প্ৰকাশ কৰিব লাগিব। লগে লগে ঠাই বুজি অসম সাহিত্য সভাৰ শাখা-সভা আৰু পাঠাগাৰ বা পুথি-ভৰাল স্থাপন, পাঠক-সমাজ গঠন, লোক-শিক্ষাৰ কাৰণে বাতৰি-কাকত আৰু আলোচনীৰ বহুল প্ৰচাৰৰ নিমিত্তে যথাসাধ্য সঙ্ঘবদ্ধ চেষ্টা কৰিব লাগিব। অসম উপত্যকাৰ ৩ খন জিলাত আমি যদি অন্ততঃ ৬০খন সাহিত্য-সভা পাতিব পাৰোঁ, তেনেহলেও অসম সাহিত্য-সভাই সেই সভা-বিলাকৰ পৰা বৰঞ্চনি স্বৰূপে বছৰে ৬০০ টকা পাব পাবে। আমাৰ শিক্ষিত ডেকা সকলে স্কুল-কলেজৰ বন্ধত দেতিয়া নিজৰ নিজৰ গাঁৱলৈ যায়, তেওঁলোকে সাহিত্য-সভা আৰু পুথি-ভৰাল স্থাপন কৰিব পাৰে। দেতিয়ালৈকে আমি এটা পাঠক-সমাজ (Reading Pudlic) গঠন কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আমাৰ পক্ষে সভা-সমিতি স্থাপন কৰি সাহিত্যৰ আলোচনা কৰি থকা আৱশ্যক। অসমীয়া সাহিত্যৰ বহুল প্ৰচাৰত কথা-সাহিত্যই বৰ সহায় কৰে। সাধাৰণতঃ সাধুকথা, উপন্যাস, পৌৰাণিক উপাখ্যান আদি পঢ়িবলৈ মানুহৰ আগ্ৰহ বেছি। সাধাৰণৰ মন আকৰ্ষণ কৰিব পৰাকৈ উপাখ্যান আদি লিখিব পৰা সুচতুৰ সুদক্ষ লেখাক আমাৰ মাজত বিৰল। আমাৰ ভাষাত Popular Literature তৈয়াৰ কৰিবলৈ আমাৰ দেশৰ সুধী সজ্জনৰ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ; অসমীয়া পুথি প্ৰকাশ কৰা ভাল কোম্পানী বা পুথিৰ দোকানো আমাৰ দেশত অতিশয় কম। প্ৰকাশৰ অভাৱত আৰু বাতৰি কাকতত জানলী নিদিয়াত অনেক সময়ত ভাল কিতাপো ভেঁকুৰা লাগি পৰি থাকে। বঙ্গলা ৰামায়ন মহাভাৰত, ভাগৱত, পঞ্জিকা আৰু উপন্যাস হাজাৰে হাজাৰে আমাৰ দেশত বিক্ৰী হয়। সম্পূৰ্ণ অসমীয়া ৰামায়ন মহাভাৰত আৰু ভাগৱত সচিক কবি কঠিন শব্দৰ অৰ্থ দি ধুনীয়াকৈ প্ৰকাশ কৰিব পাৰিলে নিশ্চয় বিক্ৰী হব। অসম সাহিত্য সভাই এই কামটো হাতত লব পাৰে। ত্ৰিশুদ্ধ অসমীয়া পঞ্জিকা উলিয়াবৰ কাৰণেও সাহিত্য-সভাই পুৰস্কাৰ ঘোষণা কৰিব পাৰে।

শ্ৰদ্ধাষ্পদ বেজবৰুৱা ডাঙৰীয়াই অসমীয়া ভাষাৰ বুৰঞ্জীক ঘাইকৈ তিনি ভাগত ভগাইছে। অসমীয়া ভাষাৰ বুৰঞ্জী যেনে,—(১) প্ৰাক্‌বৈষ্ণৱ যুগ বা আদি যুগ; (২) বৈষ্ণৱযুগ বা শঙ্কৰী যুগ; (৩) বৰ্ত্তমান যুগ।

তেখেতৰ বহুমূলীয়া অভিভাষণত এই তিনিও যুগৰ সমাক আলোচনা আছে। তদুপৰি "বাহী" আৰু "জোনাকীত" ওলোৱা তেখেতৰ "অসমীয়া ভাষা" শীৰ্ষক প্ৰবন্ধাৱলী, স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱ সম্পাদন কৰা "অসমীয়া সাহিত্যৰ চানেকি" আৰু "A Descriptive Catalogue of Assames Puthis," শ্ৰীযুত দেবেন্দ্ৰ নাথ বেজবৰুৱাদেৱৰ "অসমীয়া ভাষাৰ বুৰঞ্জী" আৰু শ্ৰীযুত দেৱানন্দ ভবালীদেৱৰ "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" পুথিত অসমীয়া ভাষা আৰু সাহিত্যৰ বিষয়ে অনেক জানিব লগীয়া কথা আছে।

শঙ্কৰী যুগৰ বিষয়ে বেজবৰুৱা ডাঙৰীয়াই যি ভবিষ্যৎ বাণী শুনাইছিল, তেখেতৰ মৌ-বৰষা ভাষাৰেই কোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ। তেখেতে কৈছিল,—

শঙ্কৰী যুগ

"আকৌ ভবিষ্যৎ বাণী কৰোঁ, যে অসীম কালৰ অনন্ত সাহিত্য-গগনত এই শঙ্কৰী যুগৰ সাহিত্যৰ নীল শতদল, শঙ্কৰ মাধৱৰ বিমল কিৰণত মহিমামণ্ডিত হৈ সদায় চল্‌ চল হৈ প্ৰফুল্লিত থাকিবা। এই যুগেই অসমৰ Renaissance যুগ অৰ্থাৎ কালৰ জাগৰণ যুগ। এই বেনাচেণ্স যুগৰ অসম, বিশাল বিৰাট মহিমা-মণ্ডিত অসম। অসমীয়া ভাষা আৰু সাহিত্যৰ জয়-জয়-মঙ্গল-ময় অৱস্থা। মৌ-মাখিয়ে ফুলৰ মৌ সংগ্ৰহ কৰি মৌ-কোহ সঞ্চাৰ দৰে এই যুগৰ সাহিত্যিক সকলে নানা ঠাইৰ নানা দেশৰ পৰা নানা সাহিত্যৰ উপাদান সংগ্ৰহ কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মৌ-কোহ প্ৰস্তুত কৰিছিল। গদ্য সাহিত্যৰ কথা এৰি দিলেও, এই যুগৰ 'কথা-গীতা, 'কথা-ভাগৱতে' অসমীয়া গদ্য সাহিত্যক পৃথিবীৰ সেই কলীয়া গদ্য সাহিত্যৰ ভিতৰত অনুপম (Uniqne) আসন প্ৰদান কৰিছিল।"

বেজবৰুৱা ডাঙৰীয়াৰ এই উক্তিৰ লগতে ক'ব খোজোঁ যে প্ৰায় ৪০০ বছৰ আগেয়ে যেতিয়া ভাৰতৰ প্ৰায় কোনো প্ৰাদেশিক ভাষাত নাটক বচিত হোৱা নাছিল, তেতিয়া এই দেশত অঙ্কীয়া নাটবিলাক বচিত হৈছিল। এই অঙ্কীয়া নাটবে "পাৰিজাত হৰণ" নাটখনক এজন বঙ্গালীয়ে বঙ্গভাষাৰ এই পুৰণি নাটক বুলি গৰ্ব্ব কৰিছে। এই যুগতে আমাৰ ভাষাত গীত, নাট আৰু ধৰ্ম্ম পুথিৰ বাহিৰেও বুৰঞ্জী, গণিত, জ্যোতিষ, বেঙ্গালী, "হস্তী-বিজাৰ্ণৱ" "ঘোড়া-নিদান," চৰিত্ৰ বা বংশাৱলী, মৌ-বিদ্যা, ধনুৰ্বিদ্যা, বাজনীতি, ক্ৰীড়া-কৌতুক আদি নানা বিষয়ৰ পুথি বচিত হৈছিল। গণিতজ্ঞ পণ্ডিত শুভঙ্কৰ আৰু বকুল কায়স্থ এই দেশৰে লোক আছিল। বুৰঞ্জীৰ নিমিত্তে অসমীয়া ভাষাই ভাৰতীয় সকলো ভাষাতকৈ বেছি সম্মান পাইছে। অতীতৰ জ্ঞান লাভ কৰি ভবিষ্যতে কেনেকৈ উন্নতিৰ বাটত আগবাঢ়িব লাগিব, বুৰঞ্জীৰ এই শিক্ষাৰ মোল আমাৰ দেশৰ ডাঙৰ মানুহবিলাকে জানিছিল এই দেশত বুৰঞ্জীৰ বহুল চৰ্চ্চা আছিল।

অতি গৌৰবময় শঙ্কৰীযুগৰ কথা কবলৈ গলে কোচ-ৰাজবংশৰ প্ৰদীপ অসমৰ বিক্ৰমাদিত্য মহাৰাজা নৰনাৰায়ণলৈ মনত পৰি কৃতজ্ঞতাত আপোনাআপুনি মূৰ দোঁ খায়। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত

এই পৰম বিদ্যোৎসাহী প্ৰজাবৎসল ধাৰ্ম্মিক নৃপতি জনৰ নাম চিৰকাল সোণোৱালী আখৰেৰ লিখা থাকিব।

বৰ্ত্তমান যুগ

উনৈশ শতিকাৰ আৰম্ভৰ পৰা বৰ্ত্তমান সময়লৈকে এই ছোৱা কালক বৰ্ত্তমান বা আধুনিক যুগ বুলিব পাৰি। এই যুগতে খৃষ্টান জগতৰ জ্ঞান ধৰ্ম্ম, আৰু সভ্যতাৰ আলোক আমাৰ দেশত পৰে। প্ৰাচ্য আৰু প্ৰতীচ্য সভ্যতাৰ সংঘৰ্ষণ ঘটে। আমেৰিকান্ বেপ্‌টিষ্ট মিশ্যনৰ যত্নত ৺ আত্মাৰাম শৰ্ম্মাই ইংৰাজীৰ পৰা অসমীয়ালৈ বাইবেল শাস্ত্ৰ অনুবাদ কৰে আৰু সেই পুথি ১৮১৩ খ্ৰীষ্টাব্দত শ্ৰীৰামপুৰৰ পৰা ছপা হৈ ওলায়। সেইখনেই অসমীয়া ভাষাৰ প্ৰথম ছপা পুথি। ১৮৩৯ খৃষ্টাব্দত ৰবিন্সন্ ছাহাবে শ্ৰীৰামপুৰৰ পৰাই অসমীয়া ভাষাৰ ব্যাকৰণ এখন লিখি ছপাই উলিয়ায়। সেই খনেই অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ। ইয়াৰ পিছত উক্ত মিশ্যনে শিৱসাগৰত দুখন ছাপাখানা পাতি অসমীয়া ভাষাত ধৰ্ম্মবিষয়ক ভালেমান পুথি প্ৰকাশ কৰে আৰু ১৮৪৬ খ্ৰীষ্টাব্দত প্ৰথম অসমীয়া আলোচনী "অৰুণোদয়" কাকত উলিয়ায়। ১৮৬৮ খ্ৰীষ্টাব্দত উক্ত মিশ্যনৰ ব্ৰন্সণ চাহাবে লিখা অসমীয়া-ইংৰাজী অভিধান ছপা হৈ ওলায়। সেই-খনেই আমাৰ ভাষাৰ প্ৰথম ছপা অভিধান। অসমৰ আদালত আৰু পঢ়াশালিবিলাকত বঙ্গলাৰ সলনি অসমীয়া চলাবৰ নিমিত্তে এই দেশত যি আন্দোলন হৈছিল, উক্ত মিশ্যনৰ পাদুৰি চাহাবসকলৰ সেই আন্দোলনৰ ঘাই গুৰিয়াল আছিল। এইবিলাক কাৰণত অসমীয়া জাতি আমেৰিকান বেপটিষ্ট্ মিশ্যনৰ ওচৰত চিৰকাল কৃতজ্ঞতা-পাশত আবদ্ধ থাকিব।

কীৰ্ত্তন, দশম নামঘোষা, ভক্তি-ৰত্নাৱলী আদি পুৰণি পুথি সৰ্ব্ব-প্ৰথমে পৰম পূজনীয় ৺হৰিবিলাস আগৰৱালা বৰ দেউতাই ছপাই প্ৰকাশ কৰিছিল।

স্বৰ্গীয় মৌলবী ছাখাৱত আলি ছাহাবে প্ৰথমে অসমীয়া ভাষাত ইউক্লিডৰ ভূমি-পৰিমাণ (Geometry) লিখি ছপাইছিল। বৰ সুখৰ বিষয় যে আমাৰ মুছলমান ভাই-ভনীসকলে মাতৃভাষাৰ উন্নতিৰ নিমিত্তে ভালকৈ চেষ্টা কৰিছে। অসমত নিগাজীকৈ বসতি কৰা বিদেশী মুছলমানসকলক অসমীয়া ভাষা আৰু সাহিত্যৰ ভিতৰেদি অসমীয়া কৰি অসমীয়া জাতিৰ বুকুত সুমাই লবলৈ সকলো অসমীয়াই চেষ্টা কৰা উচিত।

১৮৩০ চনৰ পৰা ১৯৩০ চনলৈকে এই এশ বছৰ অসমীয়া সাহিত্যৰ এখন বিস্তৃত বুৰঞ্জী প্ৰণয়ন কৰিবৰ কাৰণে অসম উপত্যকাৰ স্কুল সমূহৰ সুযোগ্য ইন্সপেক্টৰ সাহিত্যিক প্ৰবৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীদেৱে "চন্দ্ৰধৰ বৰুৱা ট্ৰাষ্ট্‌ফণ্ডৰ' পৰা ২৫০৲টকা পুৰস্কাৰ ঘোষণা কৰা বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। এই পুথিখন প্ৰকাশ হলে বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ এখন মূলবান বুৰঞ্জী পাম বুলি আশা কৰিছো। সঙ্গীত আৰু চিত্ৰবিদ্যাৰ কাৰণেও এই দৰে প্ৰতিযোগিতা পুৰস্কাৰ ঘোষণা কৰা ভাল দেখোঁ। উক্ত গোস্বামীদেৱেই তেখেতৰ স্বৰ্গীয়া কন্যা প্ৰতিভা দেবীৰ নামে এটি ট্ৰাষ্ট্‌ফণ্ড খুলিছে। অসমীয়া মানুহৰ ভাষা, সাহিত্য, বুৰঞ্জী, কৃষ্টি আদি বিষয়ে যি ভাল বক্তৃতা দিব পাৰিব তেওঁ সেই ফণ্ডৰ পৰা ১৫০৲ টকাকৈ পুৰস্কাৰ পাব। এই মহৎ দানৰ বাবেও গোস্বামীদেৱৰ শলাগ লৈছোঁ।

বৰ্ত্তমান যুগত অসমীয়া মহিলাৰ জাগৰণ দেখি বৰ সন্তোষ পাইছোঁ। কেবা গৰাকীও মহিলাই সাহিত্য ক্ষেত্ৰত সুনাম আৰ্জ্জিছে। সাহিত্য-সেৱকিনীৰ সংখ্যা বঢ়া দেখি আমাৰ ভবিষ্যৎ উজ্জ্বল বুলি আশা কৰিছোঁ। পূজনীয়া ৺পদ্মাৱতী দেৱী ফুকননীৰ "সুধৰ্ম্মাৰ উপখ্যান" আমাৰ ভাষাত প্ৰথম ছপা উপন্যাস। ১৮১০ শকৰ ভোগালি মাঘৰ বিহুত শ্ৰদ্ধাস্পদ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ককাইদেৱে কলিকতাৰ কলেজত পঢ়া অৱস্থাতে "জোনাকী" কাকত উলিয়ায়। "জোনাকী", ওলোৱাৰ আগেয়ে আমাৰ লেখাৰু সকলৰ ৰচনাত বঙ্গলাৰ প্ৰভাৱ বৰকৈ দেখা গৈছিল। সেই সময়ৰ "কবিতামালা" "চিন্তাতৰঙ্গিনী" আদি পুথি চালে ভাষাৰ অৱস্থা বুজিব পাৰিব। "জোনাকী" যুগৰ পৰা ভাষাৰ সুৰ বদলি আহিল। ভাষাই নিজৰ স্বাভাৱিক সাজ-পাৰ পিন্ধিবলৈ ধৰিলে। উক্ত আগৰৱালা-দেৱেই ১৯১৮ চনত ডিবৰুগড়ৰ পৰা সাদিনীয়া বাতৰি কাকত 'অসমীয়া' উলিয়ায়। উক্ত কাকতৰ তিনদিনীয়া

তাঙ্গৰণো ওলাইছে। এই খনেই সৰ্ব্বপ্ৰথম তিনদিনীয়া অসমীয়া কাকত। এই কাকত আগলৈ দিনেকীয়া হ'ব বুলি আশা কৰিছোঁ। জোনাকীৰ দিনৰ ৺লম্বোদৰ বৰা ডাঙ্গৰীয়াই গদ্য সাহিত্যক অনুপম গঢ় দিলে।

যোৰহাটৰ পৰা অসমৰ প্ৰধান ধনী চাহব্যৱসায়ী ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙ্গৰীয়াই প্ৰকাশ কৰা "বাতৰি" কাকতখন বন্ধুবৰ শ্ৰীযুত নীলমণি ফুকনদেৱে দক্ষতাৰে সম্পাদন কৰাত সেই কাকতৰ প্ৰচাৰ বাঢ়িছে। "বাতৰি" সঁচাকৈয়ে পঢ়ি সন্তোষ-লগা হৈছে। আমি "অসমীয়া" আৰু "বাতৰি" এই দুয়োখন কাকতৰ শ্ৰীবৃদ্ধি কামনা কৰো।

আমাৰ লৰাছোৱালী বিলাকৰ কাৰণে "পখিলা" আৰু "অৰুণ" নামে দুখন মনোমোহা কাকত ওলাইছে। আশা কৰোঁ অমসমৰ ছাত্ৰশক্তিয়ে এই দুয়োখন কাকতক দীৰ্ঘায়ু কৰি ৰাখিব।

"আৱাহনে" অসমীয়া আলোচনীৰ গৌৰৱ বঢ়াইছে। দুখৰ বিষয়, এই বছৰ এই উত্তম কাকতখন ঠিক নিয়ম মতে ওলাব পৰা নাই। পুৰণি 'বাঁহীৰ' সুৰ বদলিছে। "বাঁহীত" এতিয়া শঙ্খধ্বনি বাজিছে। এই ধ্বনি তৰুণ অসমৰ উপযোগী হৈছে। "পশুপালন" এখন লাগতিয়াল কাকত।

অসমীয়া মহিলাসকলৰ ওচৰলৈ, 'ঘৰ-জেউতিয়ে" ঘৰ উৰঙা কৰি যোৱাত, দিপ্‌লিপ্ "কুঁৱৰী" আহিব লাগিছে বুলি আগ-জাননী পাই ৰং পাইছো।

প্ৰতি শুক্লা তৃতীয়াত অসমৰ সাহিত্যাকাশত যেন "ন-জোন" ওলাই পোহৰ দি থাকে। প্ৰতি ৰঙ্গালি বিহুত "বৰদৈ চিলাও" যেন অসম-মাতৃৰ ঘৰলৈ বিহু খাবলৈ আহি আমাক ৰং লগাই থাকে।

বৰ সুখৰ বিষয় যে কলা-কুশল সঙ্গীত-বীৰ শ্ৰীমান জ্যোতিপ্ৰসাদ আগৰৱালাই চিত্ৰবনৰ পৰা অনেক পৰিশ্ৰম আৰু ধন খৰচ কৰি সৰ্ব্বপ্ৰথমে অসমীয়াত জয়মতি কুঁৱৰী নাটকৰ সবাক চলচ্চিত্ৰ উলিয়াই অসমৰ মুখ উজ্জ্বল কৰিছে, অসমীয়াৰ গৌৰৱ বঢ়াইছে। পৰমেশ্বৰে তেওঁৰ মনোবাঞ্ছা পূৰ্ণ কৰি তেওঁক দীৰ্ঘজীৱী আৰু তেওঁৰ এই চিত্ৰাভিনয় সাফল্যমণ্ডিত কৰোক, এই প্ৰাৰ্থনা।

নিভাজ পুৰণি অসমীয়া সুৰৰ গান গ্ৰেমোফনৰ ৰেকৰ্ডত প্ৰকাশ কৰা বাবে শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱলৈ শলাগৰ শৰাই আগ বঢ়াইছোঁ।

"চন্দ্ৰকান্ত সন্দিকৈ হল" নাৰায়ণী সন্দিকৈ বিচাৰ্চ্চ্ ইন্‌ষ্টিটিউট্" আৰু "চন্দ্ৰকান্ত অভিধানৰ" বাবে দানশীল ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়াৰ ওচৰত অসমীয়া জাতি চিৰ-কৃতজ্ঞ থাকিব। তেখেতৰ কীৰ্ত্তি যুগমীয়া হৈ ৰব।

কাইথেলী অঙ্কৰ পুথি প্ৰকাশ কৰা বাবে শ্ৰীযুত দণ্ডিনাথ দত্তক শলাগিছোঁ।

সাহিত্যিক আৰু পুৰণি অসমীয়া পুথি-প্ৰকাশক ৺পণ্ডিত শিৱনাথ ভট্টাচাৰ্য্য আৰু প্ৰতিভাশালী সাহিত্যিক বাগ্মী ডেকা উকীল স্বদেশপ্ৰেমিক ৺লক্ষ্মীধৰ শৰ্ম্মা, এম-এ বি-এল, দেৱৰ এইবছৰত অকাল মৃত্যু হোৱাত দেশৰ বৰ হানি হ'ল। তেওঁলোকৰ আত্মাৰ সদ্গতিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। আশা কৰোঁ ৺লক্ষীধৰৰ জীৱনী অলপতে ওলাব।

কলিকতা বিশ্ববিদ্যালয়ৰ এম-এ পৰীক্ষা পৰ্য্যন্ত বৰ্ত্তমান যুগত অসমীয়া ভাষাই স্থান পাইছে। উক্ত বিশ্ববিদ্যালয়ে মাতৃ-ভাষাৰ জৰিয়তে উচ্চশিক্ষা দিয়াৰ যি ব্যৱস্থা কৰিব খুজিছে সেই বিষয়ে আমাৰ সুধীবৃন্দৰ মনোযোগ আকৰ্ষণ কৰিব খোজো। সাহিত্য, গণিত, বিজ্ঞান আদি বিষয়ৰ উৎকৃষ্ট কিতাপ আমাৰ ভাষাত উলিয়াব পাৰিলে সেই ব্যৱস্থা মতে কাৰ্য্য কৰিবলৈ অসুবিধা নহব।

অসম কোষ

আমাৰ ভাষাত "অসমকোষ" নামে এখন পুথি লিখাই প্ৰকাশ কৰা উচিত। সেই পুথিৰ আগছোৱাত পুৰণি অসমৰ মানচিত্ৰ আৰু ইতিহাস পুৰাণ প্ৰসিদ্ধ ঠাই বিলাকৰ চমুবিবৰণ থাকিব লাগে; আৰু শেষ ছোৱাত অসমৰ ধৰ্ম্মবীৰ আৰু কৰ্ম্মবীৰ সকলৰ চমুজীৱনী থাকিব লাগে। এই কামটি কামৰূপ অনুসন্ধান সমিতিয়ে হাতত লব পাৰে।

লাগতিয়াল। অনুষ্ঠান

অসম উপত্যকাত সম্প্ৰতি তিনটি লাগতিয়াল অনুষ্ঠান আছে। যেনে,—

(১) কামৰূপ অনুসন্ধান সমিতি
(২) অসম সাহিত্য-সভা
(৩) অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব

বিভাগ। যাইকে অসমৰ পুৰণি তথ্য চৰ্চ্চা কৰাই এই তিনিউটি অচুষ্ঠানৰ লক্ষ্য।-বন্ধুবৰ শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ মততে মত দি ক'ব খোজোঁ যে "প্ৰত্ন-তত্ত্বৰ বিচাৰ অনুসন্ধান সমিতিৰ কাম হওক; অসম সাহিত্য-সভাই ভাষা আৰু সাহিত্যৰ চৰ্চ্চাত নিজ শক্তিৰ পৰিচালনা কৰক আৰু অধ্যাপক ভূঞাৰ বিভাগে বাছি লোৱা নিজ লাগতিয়াল কাম কৰি যাওক।" কামৰূপ অনুসন্ধান সমিতিৰ সুযোগ্য সভাপতি ৰায় বাহাদুৰ শ্ৰীযুক্ত কনকলাল বৰুৱা ডাঙ্গৰীয়াই "Journal of the Assam Research Society" নামে তিনিমহীয়া আলোচনী সম্পাদন কৰি তাত অসমৰ অনেক পুৰণি তথ্য প্ৰকাশ কৰা বাবে তেখেতৰ শলাগ লৈছোঁ।

গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ডিৰেক্টৰ অক্লান্তকৰ্ম্মী কবি-সাহিত্যিক অধ্যাপক ভূঞাদেৱে দক্ষতাৰে প্ৰশংসনীয় কাম কৰি অলপ দিনৰ ভিতৰতে কেৱাখনো মূল্যবান পুৰণি বুৰঞ্জী প্ৰকাশ কৰিছে। তেওঁৰপৰা আমি অসমীয়া জাতিৰ এখন বিস্তৃত বুৰঞ্জী পাম বুলি আশা কৰিছোঁ। আত্ম-বিস্মৃত অসমীয়া জাতিক অতীত গৌৰৱ সোঁৱৰাই দি উন্নতিৰ বাটত আগুৱাবলৈ তেনেকুৱা এখন সুলিখিত বুৰঞ্জীয়ে নিশ্চয় উদ্গনি দিব। যি জাতিয়ে নিজৰ অতীত ইতিহাস আৰু সাহিত্য পঢ়ি গৰ্ব্ব অনুভৱ নকৰে, সেই জাতিয়ে নিজৰ চৰিত্ৰৰ আলমকে হেৰুৱায়।

এই প্ৰদেশৰ নিমিত্তে গুৱাহাটী নগৰত এটি মিউজিয়ম বা যাদুঘৰ স্থাপিত হোৱা নিতান্ত বাঞ্ছনীয়। অসমৰ বাহিৰে ভাৰতৰ আন সকলো প্ৰদেশত মিউজিয়ম আছে। কোনো কোনো প্ৰদেশত একাধিক মিউজিয়ম থাকাও জনা গৈছে। মিউজিয়মৰ ঘাই উদ্দেশ্য হৈছে,—(১) আনন্দ, (২) লোক-শিক্ষা, (৩) অনুসন্ধান আৰু (৪) আবিষ্কাৰ। নিজৰ দেশৰ অতীত গৌৰৱৰ বস্তুবিলাক দেখিলে স্বভাৱতে মনত আনন্দ লাগে। সেই বস্তুবিলাক চাই জাতিৰ উঠন-পতন বুজিব পাৰি। ভালকৈ অনুসন্ধান কৰিলে সেইবিলাকৰ পৰা অনেক পুৰণি তথ্য আবিষ্কাৰ কৰি ইতিহাস লিখিব পাৰি।

মিউজিয়ম্

"অসম দেশ সুখ্যাতিৰ সমাধি ক্ষেত্ৰ।" এই কথা এজন ইংৰাজ ডাঙ্গৰ মানুহে লিখি গৈছে। খনিৰ অতল গৰ্ভৰ থকা হীৰাৰ দৰে, সাগৰৰ অতল তলিত থকা মুকুতাৰ দৰে, পুৰণি অসমৰ কীৰ্ত্তিমালা পাহৰণি-মৈদামৰ গভীৰ তলত, সময়ৰ বালিত পোতখাই, ক্ৰমে জহি খহি যাব লাগিছে। মাজে সময়ে একোখন তামৰ ফলিয়ে, একোখন শিলালিপিয়ে, দুই চাৰিটা পুৰণি মোহৰে, দুই চাৰিখন পুৰণি পুথিয়ে আৰু অগাধ অৰণ্যৰ মাজত বা নিৰ্জ্জন পৰ্ব্বতৰ দাঁতিত শিলৰ ভগা মূৰ্ত্তি, ভগা মন্দিৰ, এৰা নগৰৰ আৰু ভগা শিল, ভগা ইটাবোৰে হা-হুমুনিয়াহ কাঢ়ি বাটৰুৱাক পুৰণি অসমৰ অতীত গৌৰৱ সোঁৱৰাই দিয়ে। দাৰ্শনিক কবি ভট্টাচাৰ্য্য ডাঙ্গৰীয়াই মনৰ বেজাৰত গাইছে :—

"সিদিনা ৰোমৰ ভগা শিলবিলাকে
নিজ স্বাধীনতা আনিলে মাতি,
গ্ৰীচকো ইদৰে ই চিন বিলাকে
লগালে সিদিনা একতাত গাঁথি।
তেন্তে তুচ্ছ বুলি নেভাবোঁ ই শিল
হিয়াৰ মাজৰ জপৰ ধন।
কৰিব এদিন অসম সন্তানে
পৰাণ প্ৰতিষ্ঠা ইয়াৰ সাধন।

* * *

সিদিনা বুৰঞ্জী কৰিব উদ্ধাৰ,
আছে লিখা এই শিলৰ ভিতৰ,
চিয়াহিৰে লিখা নহয় পাতত,
যুগমীয়া ইটো লিখা শোণিতৰ।"

আজি কালি পুথি-ভঁৰাল স্থাপনৰ নিমিত্তে প্ৰায় সকলো দেশতে এটা আন্দোলন চলিছে, যাতে পুথি-ভঁৰালৰ বোগেদি শেষত শিক্ষা বিস্তাৰ হয়, জন-সমাজত জ্ঞানৰ পোহৰ পৰে, সেই উদ্দেশে নানা দেশত পুথি-ভঁৰাল সমিতি স্থাপিত হৈছে। য়ুৰোপ, আমেৰিকা আদি দেশত এনে কোনো স্কুল, কলেজ বা বিশ্ববিদ্যালয় নাই যাৰ লগত একোটা লাইব্ৰেৰী নাই। সেই বিলাক দেশৰ দুখীয়া

পুথি-ভঁৰাল আৰু লোক-শিক্ষা

তৰপৰ মানুহৰ কাৰণে অতি কম দামত সুলভ সংস্কৰণ পুথি আৰু বাতৰি-কাকত প্ৰকাশ কৰা হয়। বনুৱা-বিলাকৰ কাৰণেও সিহঁতৰ উপযোগী পুথি-ভঁৰাল কাৰখানাবিলাকত ৰখা হয়। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত শিক্ষা আৰু সভ্যতা বিস্তাৰ কৰাই পুথি-ভঁৰালৰ ঘাই উদ্দেশ্য। অমাৰ অসমত আজিলৈকে পুথি-ভঁৰাল-সমিতি স্থাপিত হোৱা নাই। গাৱঁলীয়া প্ৰাথমিক আৰু মজলীয়া স্কুলবিলাকত পুথি-ভঁৰাল নাই; হাইস্কুলবিলাকত যি পুথি-ভৰাল আছে, সি নামতেহে সাৰ। সৰ্ব্বসাধাৰণৰ কাৰণে গাৱলীয়া ঠাইত পাঠাগাৰ নাই বুলিলেই হয়। আমাৰ দেশত চলন্তা পুথি-ভৰাল (Travellimg public library) আজিলৈকে স্থাপিত হোৱা নাই। আগৰ দিনত ওজা-পালীয়ে ৰামায়ণ, মহাভাৰত পুৰাণ আদি গাই শুনাইছিল। এতিয়া ওজা-পালীও নোহোৱাৰ নিচিনা হৈছে। কোনো কোনো গাৱত "পাঠক" উপাধিৰ মানুহ আছে, কিন্তু প্ৰকৃত পাঠক বিচাৰি পোৱা টান। আন কি আজি-কালি বিয়া বা গোপিনী-সবাহত নাম গাবলৈ ভাল নামতী পোৱা নাযায়। গাৱলীয়া সত্ৰ, নাম-ঘৰ, দেৱালয় আদিৰ অৱস্থা শোক-লগা। ভাওনা সবাহলৈ ইংৰাজী শিক্ষা পোৱা ডেকাসকলৰ শ্ৰদ্ধা কমি গৈছে। ভাওনাত ভাৰৰীয়া সকলৰ নৃত্য-গীত, ভঙ্গী আদিত যদি কিবা অৱনতি ঘটিছে, তাৰ বাবে শিক্ষিত সমাজ দায়ী নহয়নে? চাৰ্কাচৰ ক্লাউনতকৈ আমাৰ ভাওনাত কোনো কোনো বহুৱাই বেছিকৈ মানুক ইহুৱাব পৰিছিল। বহুৱাৰ ভিতৰতো স্বভাৱ-কবি আছিল। বঙ্গদেশত থিয়েটাৰ, চিনেমা আদি থকা স্বত্বেও যাত্ৰাভিনয়ৰ অৱনতি ঘটা নাই। সেই দেশৰ শিক্ষিত সমাজে যাত্ৰালৈ আওহেলা কৰা নাই। আনকি বঙ্গালীয়ে তেওঁলোকৰ লুপ্তপ্ৰায় গাৱঁলীয়া নৃত্য (Folkdance) পুনৰ চলাবলৈ আয়োজন কৰিছে; ছায়া-চিত্ৰৰ সহায়েৰে গাৱলীয়া মানুহক নানা সজ শিক্ষা দিয়াৰ উপায় কৰিছে; লাইব্ৰেৰী সমিতি স্থাপন কৰি লাইব্ৰেৰী সম্বন্ধে গৱৰ্ণমেণ্টৰ দ্বাৰাই এখন আইন মঞ্জুৰ কৰাইছে। বঙ্গদেশত লোক শিক্ষাৰ নিমিত্তে আৰু নিবনুৱা সমস্যা সমাধানৰ নিমিত্তে নানা উপায় অৱলম্বন কৰা হৈছে। আমি আজিলৈকে "সদৌ অসম লাইব্ৰেৰী সমিতি" এখনকে স্থাপিত কৰিব পৰা নাই। অসমৰ লকেলবৰ্ড আৰু মিউনিচিপেল আইনত লাইব্ৰেৰীৰ কাৰণে দান দিবলৈ বিধান আছে। কিন্তু আমি সেই বিধানৰ সুবিধা ভোগ কৰিব পৰা নেই। তাৰ নিমিত্তে আমি দায়ী নহওঁনে? যি গাৱত পঢ়াশালি নাই, সেই গাৱৰ নামঘৰতে পঢ়াশালি পাতিব পাৰি, পুথি ভৰালো স্থাপন কৰিব পাৰি। লোকশিক্ষাৰ নিমিত্তে বঙ্গদেশত সুন্দৰ সাহিত্য ৰচিত হৈছে। আমি কৰিছো কি? "ডাক ভণিতা," "কীৰ্ত্তন" আৰু নামঘোষাৰ দৰে সমূহ ৰাইজৰ উপযোগী কোনো অমৰ গ্ৰন্থ আমি প্ৰকাশ কৰিব পাৰিছোঁ নে! যিবা অসমীয়া ৰামায়ণ আৰু মহাভাৰত আছে, তাকো আমি নকৈ ছপাই উলিয়াব নোৱাৰাত আমাৰ মানুহে বঙ্গলা ৰামায়ণ আৰু মহাভাৰত পঢ়িব লগাত পৰিছে। বঙ্গালীৰ লগত দেখা হলে আজ্ঞা বুলি দুই চাৰি আষাৰ আধা ফুটা বঙ্গলা কথা কৈ সভ্যালিৰ চিনাকি দিছে। গাৱলীয়া কোনো ডাক ঘৰত সোমালে কি দেখিবলৈ পাওঁ?—বঙ্গলা কিতাপ, বঙ্গলা কিতাপ অসমীয়াৰ নামে আহি আছে কিন্তু অসমীয়া কাকত বা কিতাপ ক্বচিৎহে দেখিবলৈ পোৱা যায়। অসমীয়া গাওঁ এখনলৈ গলে ছোৱালীৰ গাত দেখিম বিদেশী গহনা বিদেশী সাৰী। ৰিহামেখেলাৰ ব্যৱহাৰ, এৰী, মুগা, পাটৰ, কাপোৰ, কমি আহিছে।

"যি দেশৰ তিৰোতাই একে ৰাতিতেই
কপাহৰ সূতা কাটি কাপোৰ যোগায়
এৰতীয়া কাপোৰেৰে ৰণুৱা সজায়,
সি দেশত আজি তেনে বোৱা-কটা নাই;
বিদেশী বসন পিন্ধি হইছে ধুনীয়া,
সচাকৈয়ে আমি জানো সেই অসমীয়া?"

আগৰ চিৰা, সন্দেহ লোৱা পিঠাগুৰি, কোমল চাউল গুড়, গাখীৰ পিঠা-পনাৰ সলনি এতিয়াৰ গাৱলীয়াই চাছ-পানী, লুচি পুৰিৰে আলহী সোধে, সকাম কৰে; অন্ধলাৰ দৰে অনুকৰণৰ ফলত গাৱতো অলাগতীয়া

লাহ-বিলাহৰ বস্তু সোমাইছে ; বিলাসীতা বাঢ়িছে। এতিয়াৰ গাৱলীয়াৰ অৱস্থা—

"বাহিৰলৈ চোৱা যদি বৰ [illegible]য়াৰ ফেৰ,
ভিতৰলৈ চোৱা যদি ঢকুৱাৰ বেৰ।

অসমীয়া গাৱত আগৰ দৰে নিভাজ গাখিৰ, এঠা দৈ আজি কালি পোৱা টান। আগৰ অসমীয়া মহ একো জনীৰ শিঙ্গত চেলেং কাপোৰ মেলি দিব পৰা গৈছিল এতিয়া তেনেকুৱা অসমীয়া মহ ক্ৰমে লোপ পাই আহিছে। গাৱত পকা তেল বিচাৰিলে পাবলৈ নাই ; নেপালীয়ে গাখীৰ বেচে, বিদেশী তেলিয়াই তেল বেচে ; বিদেশী জালোৱাই মাছৰ মহল লয় ; বিদেশী কুমাৰে চৰু-কলহ যোগায় ; ধোবা, নাপিত, চমাৰ, কমাৰ বিদেশী। গাৱে গাৱে কেঞাৰ দোকান। প্ৰায় সকলো গাৱলীয়া ৰায়ত কেঞা-মহাজনৰ ধৰুৱা। এতিয়াৰ অসমীয়া ৰায়ত ধৰুৱা হৈ ওপজে, ধৰুৱা হৈয়ে মৰে, ধাৰৰ অন্ত নপৰে। স্বাস্থ্য-ৰক্ষা, সন্তান-পালন, প্ৰসূতিৰ চিকিৎসা আৰু ৰোগীৰ পৰিচৰ্য্যাৰ নিয়ম নজনাত অনেক প্ৰসূতী আৰু শিশু সন্তানৰ অকাল মৃত্যু ঘটিছে। এই অকাল মৃত্যু নিবাৰণৰ বাবে অসমৰ সকলো জিলাতে Redcross Society. স্থাপন কৰা বাঞ্ছনীয়। এই সাহিত্য সন্মিলনীৰ লগত ধন বিজ্ঞানৰো এখন শাখা সন্মিলনী পতা ভাল দেখো। তাত গবৰ্ণমেণ্টৰ কৃষি, শিল্প, সমৱায় সমিতি, স্বাস্থ্য আদি বিভাগৰ কৰ্ম্মচাৰী সকলেও যোগ দিব পাৰে ; অৰ্থ নৈতিক সমস্যাৰ আলোচনা কৰিব পাৰে। সোণৰ অসমক দৰিদ্ৰতাই ঢাকি ধৰিছে। দিনকদিনে অসমৰ দৰিদ্ৰতা বাঢ়ি গৈছে। জীৱন-যুদ্ধত অসমীয়া পাছ পৰি গৈছে, আমাৰ দেশৰ আৰ্থিক দুৰৱস্থা দূৰ কৰিবৰ নিমিত্তে লুপ্তপ্ৰায় কুটীৰ শিল্পবিলাক উদ্ধাৰ কৰিব লাগিব ? আমি স্বদেশী হব লাগিব। যাৰ স্বদেশলৈ মৰম আছে তেওঁ নিশ্চয় স্বদেশৰ উৎপন্ন বস্তু মাতৃৰ দান বুলি আগ্ৰহেৰে লব। আমাৰ সামাজিক শ্ৰাদ্ধ, বিয়া, উৎসৱ আদিৰ খৰচো কমাব লাগিব। গাওঁ-সংগঠনলৈ মন দিব লাগিব।

ধন-বিজ্ঞান

বহুসকল দেশৰ দৰিদ্ৰতা, অজ্ঞানতা, গুচাবৰ প্ৰধান উপায় শিক্ষা। শাৰীৰিক, মানসিক আধ্যাত্মিক আৰু আৰ্থিক উন্নতিৰ উপায় শিক্ষা—সাধাৰণ শিক্ষা বিস্তাৰ—জ্ঞানৰ বিস্তাৰ। জ্ঞানতকৈ পৱিত্ৰ আৰু ক্ষমতাৱন্ত বস্তু এই জগতত একো নাই। শিক্ষাৰ দ্বাৰা জ্ঞান লাভ হয়। মাতৃ- আৰু সাহিত্যৰ উন্নতি নহলে শিক্ষাৰ উন্নতি হব নোৱাৰে। আমাৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ ওপৰত আমাৰ জাতীয় উন্নতি ঘাইকৈ নিৰ্ভৰ কৰে। সাহিত্যই সমাজৰ শিক্ষক, জাতিৰ দাপোন। অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কৰাই অসম-সাহিত্য সভাৰ উদ্দেশ্য। এই সভা যে আমাৰ এটি মহৎ লাগতিয়াল অনুষ্ঠান আৰু জাতীয় উন্নতিৰ প্ৰধান সহায়ক তাক, কোৱা বাহুল্য। এই সভাক সহায়তা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্ত্তব্য। অসমীয়া মাত্ৰেই ইয়াৰ সভ্য হোৱা উচিত। এই সভাৰ লগতে আমাক এটি জাতীয় ধন ভৰাল লাগে। আশা কৰোঁ আমাৰ গবৰ্ণমেণ্ট আৰু লকেলবৰ্ডবিলাকৰ পৰাও আগৰ দৰে এই সভাই সাহায্য পাব।

সাহিত্য-সভাৰ উদ্দেশ্য

আমাৰ কৰিব লগীয়া কাম বহুত আছে ; ধনৰ অভাৱত কৰিব পৰা নাই। যেনে—পুৰণি পুথি গীত সাথৰ, পটন্তৰ ফঁকৰা আৰু সাধুকথাবিলাক সংগ্ৰহ কৰি প্ৰকাশ কৰা ; মৌলিক আৰু শিশু পাঠ্য পুথিৰ সংখ্যা বঢ়োৱা ; গল্প সাহিত্যৰ উন্নতি কৰা ; বিশ্ব সাহিত্যত ঠাই পোৱা পৃথিবীৰ জ্ঞানীলোকসকলৰ বহুমূলীয়া পুথিবিলাক অসমীয়ালৈ ভাঙ্গি দেশত প্ৰচাৰ কৰা শিশুপালন, প্ৰসূতিৰ চিকিৎসা, ৰোগীৰ পৰিচৰ্য্যা সংক্ৰামক ব্যাধি নিবাৰণৰ উপায়, স্বাস্থ্য ৰক্ষা, গোপালন কৃষি বাণিজ্য আৰু ঘৰুৱা শিল্পৰ সৰু সৰু পুথি লিখি ৰাইজৰ মাজত বিলোৱা ; আগৰ দিনৰ ক্ৰীড়া কৌতুক বা খেল ধেমালিৰ বিৱৰণ লিখি প্ৰকাশ কৰা ইত্যাদি আখৰ জোটনিৰ বেমেজালি আৰু স্কুলীয়া পাঠ্য পুথিবোৰৰ ভুল শুধৰাবলৈ এখন সমালোচক সমিতি গঠন কৰি সেই সমিতিৰ মতামত বাতৰি কাকতত প্ৰকাশ কৰাৰ দিহা কৰা ভাল।

ইংৰাজী স্কুলত দেৱনাগেৰী লিখিবলৈ আৰু পঢ়িবলৈ শিকে। আমাৰ ভাষাৰ প্ৰচলিত বৰ্ণমালাৰ পৰিবৰ্ত্তে দেৱনাগেৰী আখৰ চলালে আগলৈ আমাৰ মানুহে সংস্কৃত আৰু হিন্দী সাহিত্যৰ পুথি আদি পঢ়িবলৈ উজু পাব। আদিতে আমাৰ বৰ্ণমালাও ব্ৰাহ্মী বা দেৱনাগেৰীৰ নিচিনাই আছিল। তুৰস্কত অনেক শ বছৰৰ পৰাই আৰবী আখৰৰ প্ৰচলন আছিল। এতিয়া গাজী কামাল পাশাই তাত লাটিন আখৰ চলাইছে। মোৰ বোধেৰে আমাৰ দেশতো প্ৰচলিত বৰ্ণমালাৰ সলনি দেৱনাগেৰী আখৰ চলোৱা বাঞ্ছনীয়।

স্বৰবৰ্ণৰ ঋ, ৯, ৯, এই তিনটা আখৰৰ ব্যৱহাৰ আমাৰ ভাষাত একেবাৰেই নাই ; সংস্কৃততো প্ৰায় নাই বুলিলেই হয়। উচ্চাৰণলৈ চাই এই কেইটা আখৰক স্বৰ নুবুলি অৰ্দ্ধস্বৰ-অৰ্দ্ধব্যঞ্জন বোলাহে উচিত হব। প্ৰাকৃত ভাষাত ঋ আৰু ঋ-ৰ উচ্চাৰণ নাই। এতেকে ঋ ৯, ৯ এই তিনটা অলাগতীয়া আখৰ আমাৰ বৰ্ণমালাৰ পৰা একেবাৰে উঠাই দিয়া ভাল দেখো। আমাৰ ভাষাত ৰু, ৰূ, গু, শু, হু, হ্ব, ত্ৰ, ভ্ৰু, ক্ৰ, এই দৰে নিলিখি সাধাৰণ নিয়মে লিখাৰ দিহা কৰিলে কোমল বয়সীয়া লৰা ছোৱালীয়ে লিখিবলৈ ভাল পাব বুলি বোধ হয়।

অসমীয়া সাহিত্য

ভাষা ভাবৰ বাহন। ভাষাৰ সাজ-পাৰ পিন্ধি ভাব ওলায়। ভাষা যেনিবা শৰীৰ, ভাব তাৰ আত্মা। ভাষাৰ দ্বাৰাই পৰস্পৰৰ মনোভাব সালসলনি কৰি মানুহে সঙ্ঘবদ্ধ হৈ সমাজ পাতি বাস কৰে। সমাজ বিস্তাৰৰ লগে লগে স্বদেশ আৰু স্বজাতিৰ বিকাশ হয় ; সাহিত্য সেই বিকাশৰ প্ৰধান সহায়ক। যি দেশ বা জাতি যিমান উন্নত, তাৰ সাহিত্যও সিমান উন্নত।

সাহিত্য কি ? "সাহিত্যম্—মেলনম্। সহিতস্য ভাবঃ ইত্যৰ্থে ষ্ণ্য প্ৰত্যয়নে নিষ্পন্নম্!"—শব্দকল্পদ্ৰুম। সহিত মানে সম্যক্ হিতঃ=সহিতঃ, তস্য ভাবঃ সাহিত্যঃ, এনেদৰেও অৰ্থ কৰিব পাৰি। লিখা পঢ়া আদি কাৰ্য্যৰ দ্বাৰাই জ্ঞান-বিস্তাৰ কৰি জন-সমাজৰ হিতসাধন কৰাই সাহিত্য। সি যি হওক, "সাহিত্য," এই শব্দটোৱে এটা সমষ্টিৰ বা সংহতিৰ মিলন বুজায়। ৰচনাত প্ৰাণৰ কথা, হিতজনক আৰু আনন্দদায়ক কথা, সুন্দৰকৈ ফুটাই লিখিব পাৰিলে সেই ৰচনা সাহিত্য হয়। সুন্দৰ ভাষা আৰু সুন্দৰ ভাব, বা মধুৰ ভাষা আৰু মধুৰ ভাব, এই দুইৰো মিলনেই সাহিত্য। সাহিত্য দুবিধ, গদ্য আৰু পদ্য। "কাব্যং ৰসাত্মকং বাক্যং।" কাব্য বুলিলে ছন্দ বা পদ্যত লিখা অনুভূতিমূলক ৰসাল কথা বুজায়। সাহিত্য ৰসাল হব লাগে। সত্যং শিৱং আৰু সুন্দৰং হব লাগে। অজ্ঞান আন্ধাৰত জ্ঞানৰ জোনাক দেখুৱাই হিতবাদৰ বাটেদি মানৱতাৰ ফালে মানুহক আগবঢ়াই নিবৰ উদ্দেশে সাহিত্যিকে লেখনী চলায়, কবিয়ে কবিতাৰ বীণ বজায়। সাহিত্যৰ ভিতৰত যাৱতীয় বিদ্যা চৌষষ্টি কলাত বিভক্ত হৈ আছে। যেনে,—

সঙ্গীত বিদ্যা, চিকিৎসা বিদ্যা, ৰসায়ন বিদ্যা, শিল্প বিদ্যা, নীতি শাস্ত্ৰ, অৰ্থশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ, শব্দকোষ, ব্যাকৰণ, ইতিহাস, জ্যোতিষ ইত্যাদি।

ভাষা-শিক্ষাই প্ৰকৃত জ্ঞান-শিক্ষাৰ উপায় মাথোন। ভাষা-শিক্ষা জ্ঞান-ভণ্ডাৰৰ দুৱাৰ স্বৰূপ। যিৰূপ জ্ঞান আৰ্জ্জিলে বুদ্ধিৰ বিকাশ হয়, ভ্ৰম আৰু কুসংস্কাৰ দূৰ হয় আৰু জগতৰ প্ৰকৃত নিয়ম-প্ৰণালী জানি কৰ্ত্তব্যাকৰ্ত্তব্য নিৰূপণ কৰি নিজৰ আৰু জনসমাজৰ সৰ্ব্বপ্ৰকাৰ হিত-সাধন কৰিব পৰা যায় তেনেকুৱা জ্ঞানৰ শিক্ষা লাগে। তেনেকুৱা জ্ঞান-ৰত্নেৰে আমি আমাৰ সাহিত্য-ভণ্ডাৰ পূৰ্ণ কৰিব লাগিব।

অসমীয়া সাহিত্য ভক্তি-প্ৰধান সাহিত্য। এই সাহিত্যই অসম-মাতৃৰ মুখত ভক্তিৰ জেউতি পেলাইছে। অসমীয়া সাহিত্যিক সকলে অভয়ৰ কৱচ পিন্ধি, সত্য আৰু অহিংসাক সাৰথি কৰি, সৰলতা আৰু সেৱা-পৰায়ণতাৰ বাটেদি হিতবাদৰ বিমল কিৰণ বিকীৰণ কৰিছে।

"মানুহেই লগ, মানুহেই সঙ্গ,
মানুহেই পৰাৎপৰ,
এই যে পৃথিবী স্বৰ্গতো অধিক,
মানুহৰ নিজাপী ঘৰ ;

মানুহেই দেৱ, মানুহেই সেৱ,
মানুহ বিনে নাই কেঁৱা।
কৰোঁ পূজা—অর্ঘ্য পাদোদক লৈ—
জয় জয় মানৱ দেৱ।"

এয়ে হৈছে অসমীয়া কবিৰ প্রাণৰ বাণিণী। সমুহ অসমীয়াক হিতবাদৰ ভাবেদি অনুপ্রাণিত কৰি, সাম্য, মৈত্রী আৰু স্বাধীনতাৰ সেৱক কৰি, কর্ম্মী, জ্ঞানী, ধৰ্ম্মী কবি, মানৱতাৰ ফালে ধীৰে ধীৰে আগ বঢ়াই নিয়াই অসমীয়া সাহিত্যৰ লক্ষ্য, অসমীয়া সাহিত্যৰ বিশিষ্টতা। অসমীয়া সাহিত্যই অসমীয়াৰ প্রাণত ধৰ্ম্ম আৰু জ্ঞানৰ, স্বদেশানুৰাগ আৰু স্বজাতিপ্রেমৰ, যি বীজ অঙ্কুৰিত কৰিছে, সি যেন অজৰ অমৰ হৈ, ফলে ফুলে জাতিকাৰ হৈ মহা মহীকহত পৰিণত হয়, আৰু সেই দিব্য কৱতৰুৰ শীতল ছাঁয়াত যেন সকলো অসমীয়া একে মুঠি হৈ বহি, ধৰ্ম্মভেদ, জাতিভেদ, সম্প্রদায়ভেদ পাহৰি, সমুহৰ হিতৰ কাৰণে দেশ জননীৰ বাণীৰ পূজাত প্রবৃত্ত হয়, ইয়াকেহে অনুক্ষণ কামনা কৰিছোঁ।

আমাৰ দেশৰ শিতানত অভ্রভেদী গিৰিৰাজ হিমালয় মহাযোগী মহাদেৱৰ দৰে দণ্ডায়মান আছে। আমাৰ দেশৰ মাজেদি নদৰাজ মহাবাহু ব্রহ্মপুত্র মহাশক্তিৰ দৰে কত যুগযুগান্তৰ পৰা একে বাহে বৈ আছে। আমাৰ দেশতে ভাৰতৰ অকণোৱৰ হয়। অসমীয়া জাতি জ্ঞান, বিজ্ঞান, নীতি আৰু ধৰমত যেন হিমালয়ৰ দৰে উন্নত হয়; কৃষি, শিল্প, বাণিজ্যত যেন ব্রহ্মপুত্রৰ নিচিনা শক্তিশালী হয়; অসমৰ তকণে দেশ-দেশান্তৰৰ পৰা ন ন বিজ্ঞানৰ বস্তি আনি যেন অসমৰ মুখ উজ্জ্বল কৰে; নৈতিক আৰু আধ্যাত্মিক ভেটৰ ওপৰত অসমক যেন নটকৈ গঢ়ি তোলে। জাপানৰ তকণ সকলেই জাপানক গঢ়ি তুলিলে; চীনৰ তকণ সকলেও চীনক নতুনকৈ গঢ়িব লাগিছে। অসমৰ তকণে কি হাত সাৰটি বহি থাকিব? অসমৰ মাতৃজাতি নাজাগিব নে? মাতৃজাতি জাগি উঠিলে আমাৰ মাতৃভূমি আৰু মাতৃভাষাৰ উন্নতিৰ সোঁত অতি বেগেৰে ব'ব। পুৰণি প্রাগজ্যোতিষৰ পৰাই যেনেকৈ একালত ভাৰতে, আৰু জগৎবাসীয়ে জ্ঞান, ধৰ্ম্ম আৰু সভ্যতাৰ অকণালোক দেখিছিল, এতিয়াও যেন ইয়াৰ পৰাই আগতকৈও বেছিকৈ সেই আলোক শতধা ৰিকীর্ণ হয়। বিশ্বৰ জ্ঞান-ভঁৰালত যেন অসমৰ দান লেখত লৱ-লগীয়া হয়। অসমত যেন আমি শীঘ্রে এটি বিশ্ববিদ্যালয় স্থাপিত হোৱা দেখিবলৈ পাওঁ। ইয়াৰ নিমিত্তে যেন যথাবিহিত আন্দোলন চলি থাকে। গাঁৱে গাঁৱে পঢ়াশালি স্থাপিত হৈ অসমত প্রাথমিক শিক্ষা যাতে সোনকালে বাধ্যতামূলক হয়, আমি তাৰ নিমিত্তেও চেষ্টা কৰিব লাগে। কোনো অসমীয়া লৰাছোৱালী যেন নিৰক্ষৰ হৈ থাকিবলৈ নাপায়। কোৱা বাহুল্য যে সাধাৰণ শিক্ষা-বিস্তাৰ বা জ্ঞান-বিস্তাৰেই জাতীয় উন্নতিৰ মূল। আমাক লাগে জ্ঞান, বিবিধ জ্ঞান। সেই জ্ঞান আমাৰ মাতৃ-ভাষাৰ ভিতৰেদি পাবৰ নিমিত্তে, আমি আমাৰ সাহিত্যক বিবিধ ৰত্নমণিৰে বিভূষিত কৰিব লাগিব। বিবিধ জ্ঞান-বিজ্ঞানৰ পুথি আমাৰ ভাষাত লিখি প্রকাশ কৰিব লাগিব। লগে লগে ঠাই বুজি অসম সাহিত্য সভাৰ শাখা-সভা আৰু পাঠাগাৰ বা পুথি-ভঁৰাল স্থাপন, পাঠক-সমাজ গঠন, লোক-শিক্ষাৰ কাৰণে বাৰম্বাৰ-কাকত আৰু আলোচনীৰ বহুল প্রচাৰৰ নিমিত্তে যথাসাধ্য সজ্ঘবদ্ধ চেষ্টা কৰিব লাগিব। অসম উপত্যকাৰ ৬ ণ্ব জিলাত আমি যদি অন্ততঃ ৬০পন সাহিত্য-সভা পাতিব পাৰোঁ, তেনেহলেও অসম সাহিত্য-সভাই সেই সভা-বিলাকৰ পৰা বছৰনি স্বৰূপে বছৰে ৬০০ টকা পাব পাবে। আমাৰ শিক্ষিত ডেকা সকলে স্কুল-কলেজৰ বন্ধত যেতিয়া নিজৰ নিজৰ গাৱঁলৈ যায়, তেওঁলোকে সাহিত্য-সভা আৰু পুথি-ভঁৰাল স্থাপন কৰিব পাৰে। যেতিয়ালৈকে আমি এটা পাঠক-সমাজ (Reading Pudlic) গঠন কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আমাৰ পক্ষে সভা-সমিতি স্থাপন কৰি সাহিত্যৰ আলোচনা কৰি থকা আৰশ্যক। অসমীয়া সাহিত্যৰ বহুল প্রচাৰত কথা-সাহিত্যই বৰ সহায় কৰে। সাধাৰণতঃ সাধুকথা, উপন্যাস, পৌৰাণিক উপাখ্যান আদি পঢ়িবলৈ মানুহৰ আগ্রহ বেছি। সাধাৰণৰ মন আকর্ষণ কৰিব পৰাকৈ উপাখ্যান আদি লিখিব পৰা সুচচুৰ সুন্দৰ লেখাক আমাৰ মাজত বিৰল। আমাৰ ভাষাত Popular Literature

তৈয়াৰ কৰিবলৈ আমাৰ দেশৰ সুধী সকলৰ মনোযোগ আকর্ষণ কৰিব খোজোঁ; অসমীয়া পুথি প্রকাশ কৰা ভাল কোম্পানী বা পুথিৰ দোকানো আমাৰ দেশত অতিশয় কম। প্রকাশৰ অভাৱত আৰু বাতৰি কাকতত জাননী নিদিয়াতে অনেক সময়ত ভাল কিতাপো ভেঁকুৰা লাগি পৰি থাকে। বঙ্গনা ৰামায়ন মহাভাৰত, ভাগৱত, পঞ্জিকা আৰু উপন্যাস হাজাৰে হাজাৰে আমাৰ দেশত বিকী হয়। সম্পূর্ণ অসমীয়া ৰামায়ণ মহাভাৰত আৰু ভাগৱত সচিত্র কবি কঠিন শব্দৰ অর্থ দি ধুনীয়াকৈ প্রকাশ কৰিব পাৰিলে নিশ্চয় বিক্রী হব। অসম সাহিত্য সভাই এই কামটো হাতত লব পাৰে। ৰিশুদ্ধ অসমীয়া পঞ্জিকা উলিয়াবৰ কাৰণেও সাহিত্য-সভাই পুৰস্কাৰ ঘোষণা কৰিব পাৰে।

শ্রদ্ধাষ্পদ বেজবৰুৱা ডাঙৰীয়াই অসমীয়া ভাষাৰ বুৰঞ্জীক গাইকৈ তিনি ভাগত ভগাইছে। অসমীয়া ভাষাৰ বুৰঞ্জী মেনে,—(১) প্রাক্‌বৈষ্ণৱ যুগ বা আদি যুগ; (২) বৈষ্ণৱযুগ বা শঙ্কৰী যুগ; (৩) বর্ত্তমান যুগ।

তেখেতৰ বহুমূলীয়া অভিভাষণত এই তিনিও যুগৰ সমাক আলোচনা আছে। তদুপৰি "বাহী" আৰু "জোনাকীত" ওলোৱা তেখেতৰ "অসমীয়া ভাষা" শীর্ষক প্রবন্ধাৱলী, স্বর্গীয় হেমচন্দ্র গোস্বামীদেৱ সঙ্কলন কৰা "অসমীয়া সাহিত্যৰ চানেকি" আৰু "A Descriptive Catalogue of Assames Puthis," শ্রীযুত দেৱেন্দ্র নাথ বেজবৰুৱাদেৱৰ "অসমীয়া ভাষাৰ বুৰঞ্জী" আৰু শ্রীযুত দেৱানন্দ ভৱালীদেৱৰ "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" পুথিত অসমীয়া ভাষা আৰু সাহিত্যৰ বিষয়ে অনেক জানিব লগীয়া কথা আছে।

শঙ্কৰী যুগৰ বিষয়ে বেজবৰুৱা ডাঙৰীয়াই যি ভবিষ্যৎ বাণী শুনাইছিল, তেখেতৰ মৌ-বৰষা ভাষাবেই কোৱাৰ লোভ সামবিব নোৱাৰিলোঁ। তেখেতে কৈছিল,— শঙ্কৰী যুগ

"আকৌ ভবিষ্যৎ বাণী কৰোঁ, যে অসীম কালৰ অনন্ত সাহিত্য-গগনত এই শঙ্কৰী যুগৰ সাহিত্যৰ নীল শতদল, শঙ্কৰ মাধৱৰ বিমল কিৰণত মহিমামণ্ডিত হৈ সদায় চল্‌ঢল হৈ প্রফুল্লিত থাকিব। এই যুগেই অসমৰ Renaissance যুগ অর্থাৎ কালৰ জাগৰণ যুগ। এই বেনাচেঞ্চ যুগৰ অসম, বিশাল বিৰাট মহিমা-মণ্ডিত অসম। অসমীয়া ভাষা আৰু সাহিত্যৰ জয়-জয়-ময়-ময় অৱস্থা। মৌ-মাখিয়ে ফুলৰ মৌ সংগ্রহ কৰি মৌ-কোঁহ সজাৰ দৰে এই যুগৰ সাহিত্যিক সকলে নানা ঠাইৰ নানা দেশৰ পৰা নানা সাহিত্যৰ উপাদান সংগ্রহ কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মৌ-কোহ প্রস্তুত কৰিছিল। পদ্য সাহিত্যৰ কথা এৰি দিলেও, এই যুগৰ 'কথা-গীতা', 'কথা-ভাগৱতে' অসমীয়া গদ্য সাহিত্যক পৃথিবীৰ সেই কলীয়া গদ্য সাহিত্যৰ ভিতৰত অনুপম (Uniqne) আসন প্রদান কৰিছিল।"

বেজবৰুৱা ডাঙৰীয়াৰ এই উক্তিৰ লগতে ক'ব খোজোঁ যে প্রায় ৪০০ বছৰ আগেয়ে মেথিয়া ভাৰতৰ প্রায় কোনো প্রাদেশিক ভাষাত নাটক বচিত হোৱা নাছিল, তেতিয়া এই দেশত অঙ্কীয়া নাটবিলাক বচিত হৈছিল। এই অঙ্কীয়া নাটবে "পাৰিজাত হৰণ" নাটখনক এজন বঙ্গালীয়ে বঙ্গভাষাৰ এই পুৰণি নাটক বুলি গৰ্ব্ব কৰিছে। এই যুগতে আমাৰ ভাষাত গীত, নাট আৰু ধৰ্ম্ম পুথিৰ বাহিৰেও বুৰঞ্জী, গণিত, জ্যোতিষ, বেজালী, "হস্তী-বিদ্যার্ণৱ" "ঘোড়া-নিদান," চৰিত্র বা বংশাৱলী, নৌ-বিদ্যা, দণ্ডবিদ্যা, ৰাজনীতি, ক্রীড়া-কৌতুক আদি নানা বিষয়ৰ পুথি বচিত হৈছিল। গণিতজ্ঞ পণ্ডিত শুভঙ্কৰ আৰু বকুল কায়থ এই দেশৰে লোক আছিল। বুৰঞ্জীৰ নিমিত্তে অসমীয়া ভাষাই ভাৰতীয় সকলো ভাষাতকৈ বেছি সম্মান পাইছে। অতীতৰ জ্ঞান লাভ কৰি ভবিষ্যতে কেনেকৈ উন্নতিৰ বাটত আগবাঢ়ি লাগিব, বুৰঞ্জীৰ এই শিক্ষাৰ মোল আমাৰ দেশৰ ডাঙৰ মানুহবিলাকে জানিছিল এই দেশত বুৰঞ্জীৰ বহুল চর্চ্চা আছিল।

অতি পৌৰবময় শঙ্কৰীযুগৰ কথা কবলৈ গলে কোচ-ৰাজবংশৰ প্রদীপ অসমৰ বিক্রমাদিত্য মহাৰাজা নৰনাৰায়ণলৈ মনত পৰি কৃতজ্ঞতাত আপোনাআপুনি মূৰ দোঁ খায়। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত

এই পৰম বিদ্যোৎসাহী প্ৰজাবৎসল ধাৰ্ম্মিক নৃপতি জনৰ নাম চিৰকাল সোণোৱালী আখৰেৰ লিখা থাকিব।

বৰ্ত্তমান যুগ

উনৈশ শতিকাৰ আৰম্ভৰ পৰা বৰ্ত্তমান সময়লৈকে এই ছোৱা কালক বৰ্ত্তমান বা আধুনিক যুগ বুলিব পাৰি। এই যুগতে খৃষ্টান জগতৰ জ্ঞান ধৰ্ম্ম, আৰু সভ্যতাৰ আলোক আমাৰ দেশত পৰে। প্ৰাচ্য আৰু প্ৰতীচ্য সভ্যতাৰ সংঘৰ্ষণ ঘটে। আমেৰিকান্ বেপ্‌টিষ্ট মিশ্যনৰ যত্নত ৺ আত্মাৰাম শৰ্ম্মাই ইংৰাজীৰ পৰা অসমীয়ালৈ বাইবেল শাস্ত্ৰ অনুবাদ কৰে আৰু সেই পুথি ১৮১৩ খ্ৰীষ্টাব্দত শ্ৰীৰামপুৰৰ পৰা ছপা হৈ ওলায়। সেইখনেই অসমীয়া ভাষাৰ প্ৰথম ছপা পুথি। ১৮৩৯ খৃষ্টাব্দত ৰবিন্সন্ ছাহাবে শ্ৰীৰামপুৰৰ পৰাই অসমীয়া ভাষাৰ ব্যাকৰণ এখন লিখি ছপাই উলিয়ায়। সেই খনেই অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ। ইয়াৰ পিছত উক্ত মিশ্যনে শিৱসাগৰত দুখন ছাপাখানা পাতি অসমীয়া ভাষাত ধৰ্ম্মবিষয়ক ভালেমান পুথি প্ৰকাশ কৰে আৰু ১৮৪৬ খ্ৰীষ্টাব্দত প্ৰথম অসমীয়া আলোচনী "অৰুণোদয়" কাকত উলিয়ায়। ১৮৬৮ খ্ৰীষ্টাব্দত উক্ত মিশ্যনৰ ব্ৰন্সণ চাহাবে লিখা অসমীয়া-ইংৰাজী অভিধান ছপা হৈ ওলায়। সেই-খনেই আমাৰ ভাষাৰ প্ৰথম ছপা অভিধান। অসমৰ আদালত আৰু পঢ়াশালিবিলাকত বঙ্গলাৰ সলনি অসমীয়া চলাবৰ নিমিত্তে এই দেশত যি আন্দোলন হৈছিল, উক্ত মিশ্যনৰ পাদুৰি চাহাবসকলৰ সেই আন্দোলনৰ ঘাই গুৰিয়াল আছিল। এইবিলাক কাৰণত অসমীয়া জাতি আমেৰিকান বেপটিষ্ট্ মিশ্যনৰ ওচৰত চিৰকাল কৃতজ্ঞতা-পাশত আবদ্ধ থাকিব।

কীৰ্ত্তন, দশম, নামঘোষা, ভক্তি-ৰত্নাৱলী আদি পুৰণি পুথি সৰ্ব্ব-প্ৰথমে পৰম পূজনীয় ৺হৰিবিলাস আগৰৱালা বৰ দেউতাই ছপাই প্ৰকাশ কৰিছিল।

স্বৰ্গীয় মৌলবী ছাখাৱত আলি ছাহাবে প্ৰথমে অসমীয়া ভাষাত ইউক্লিডৰ ভূমি-পৰিমাণ (Geometry) লিখি ছপাইছিল। বৰ সুখৰ বিষয় যে আমাৰ মুছলমান ভাই-ভনীসকলে মাতৃভাষাৰ উন্নতিৰ নিমিত্তে ভালকৈ চেষ্টা কৰিছে। অসমত নিগাজীকৈ বসতি কৰা বিদেশী মুছলমানসকলক অসমীয়া ভাষা আৰু সাহিত্যৰ ভিতৰেদি অসমীয়া কৰি অসমীয়া জাতিৰ বুকুত সুমাই লবলৈ সকলো অসমীয়াই চেষ্টা কৰা উচিত।

১৮৩০ চনৰ পৰা ১৯৩০ চনলৈকে এই এশ বছৰ অসমীয়া সাহিত্যৰ এখন বিস্তৃত বুৰঞ্জী প্ৰণয়ন কৰিবৰ কাৰণে অসম উপত্যকাৰ স্কুল সমূহৰ সুযোগ্য ইন্সপেক্টৰ সাহিত্যিক প্ৰবৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীদেৱে "চন্দ্ৰধৰ বৰুৱা ট্ৰাষ্ট্‌ফণ্ডৰ' পৰা ২৫০৲টকা পুৰস্কাৰ ঘোষণা কৰা বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। এই পুথিখন প্ৰকাশ হলে বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ এখন মূলবান বুৰঞ্জী পাম বুলি আশা কৰিছো। সঙ্গীত আৰু চিত্ৰবিদ্যাৰ কাৰণেও এই দৰে প্ৰতিযোগিতা পুৰস্কাৰ ঘোষণা কৰা ভাল দেখোঁ। উক্ত গোস্বামীদেৱেই তেখেতৰ স্বৰ্গীয়া কন্যা প্ৰতিভা দেবীৰ নামে এটি ট্ৰাষ্ট্‌ফণ্ড খুলিছে। অসমীয়া মানুহৰ ভাষা, সাহিত্য, বুৰঞ্জী, কৃষ্টি আদি বিষয়ে যি ভাল বক্তৃতা দিব পাৰিব তেওঁ সেই ফণ্ডৰ পৰা ১৫০৲ টকাকৈ পুৰস্কাৰ পাব। এই মহৎ দানৰ বাবেও গোস্বামীদেৱৰ শলাগ লৈছোঁ।

বৰ্ত্তমান যুগত অসমীয়া মহিলাৰ জাগৰণ দেখি বৰ সন্তোষ পাইছোঁ। কেবা গৰাকীও মহিলাই সাহিত্য ক্ষেত্ৰত সুনাম আৰ্জ্জিছে। সাহিত্য-সেৱকিনীৰ সংখ্যা বঢ়া দেখি আমাৰ ভবিষ্যৎ উজ্জ্বল বুলি আশা কৰিছোঁ। পূজনীয়া ৺পদ্মাৱতী দেৱী ফুকননীৰ "সুধৰ্ম্মাৰ উপখ্যান" আমাৰ ভাষাত প্ৰথম ছপা উপন্যাস। ১৮১০ শকৰ ভোগালি মাঘৰ বিহুত শ্ৰদ্ধাস্পদ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ককাইদেৱে কলিকতাৰ কলেজত পঢ়া অৱস্থাতে "জোনাকী" কাকত উলিয়ায়। "জোনাকী", ওলোৱাৰ আগেয়ে আমাৰ লেখাৰু সকলৰ ৰচনাত বঙ্গলাৰ প্ৰভাৱ বৰকৈ দেখা গৈছিল। সেই সময়ৰ "কবিতামালা" "চিন্তাতৰঙ্গিনী" আদি পুথি চালে ভাষাৰ অৱস্থা বুজিব পাৰিব। "জোনাকী" যুগৰ পৰা ভাষাৰ সুৰ বদলি আহিল। ভাষাই নিজৰ স্বাভাৱিক সাজ-পাৰ পিন্ধিবলৈ ধৰিলে। উক্ত আগৰৱালা-দেৱেই ১৯১৮ চনত ডিবৰুগড়ৰ পৰা সাদিনীয়া বাতৰি কাকত 'অসমীয়া' উলিয়ায়। উক্ত কাকতৰ তিনদিনীয়া

তাঙ্গৰণো ওলাইছে। এই খনেই সৰ্ব্বপ্ৰথম তিনদিনীয়া অসমীয়া কাকত। এই কাকত আগলৈ দিনেকীয়া হ'ব বুলি আশা কৰিছোঁ। জোনাকীৰ দিনৰ ৺লম্বোদৰ বৰা ডাঙ্গৰীয়াই গদ্য সাহিত্যক অনুপম গঢ় দিলে।

যোৰহাটৰ পৰা অসমৰ প্ৰধান ধনী চাহব্যৱসায়ী ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙ্গৰীয়াই প্ৰকাশ কৰা "বাতৰি" কাকতখন বন্ধুবৰ শ্ৰীযুত নীলমণি ফুকনদেৱে দক্ষতাৰে সম্পাদন কৰাত সেই কাকতৰ প্ৰচাৰ বাঢ়িছে। "বাতৰি" সঁচাকৈয়ে পঢ়ি সন্তোষ-লগা হৈছে। আমি "অসমীয়া" আৰু "বাতৰি" এই দুয়োখন কাকতৰ শ্ৰীবৃদ্ধি কামনা কৰো।

আমাৰ লৰাছোৱালী বিলাকৰ কাৰণে "পখিলা" আৰু "অৰুণ" নামে দুখন মনোমোহা কাকত ওলাইছে। আশা কৰোঁ অসমৰ ছাত্ৰশক্তিয়ে এই দুয়োখন কাকতক দীৰ্ঘায়ু কৰি ৰাখিব।

"আৱাহনে" অসমীয়া আলোচনীৰ গৌৰৱ বঢ়াইছে। দুখৰ বিষয়, এই বছৰ এই উত্তম কাকতখন ঠিক নিয়ম মতে ওলাব পৰা নাই। পুৰণি 'বাঁহীৰ' সুৰ বদলিছে। "বাঁহীত" এতিয়া শঙ্খধ্বনি বাজিছে। এই ধ্বনি তৰুণ অসমৰ উপযোগী হৈছে। "পশুপালন" এখন লাগতিয়াল কাকত।

অসমীয়া মহিলাসকলৰ ওচৰলৈ, 'ঘৰ-জেউতিয়ে" ঘৰ উৰঙা কৰি যোৱাত, দিপ্‌লিপ্ "কুঁৱৰী" আহিব লাগিছে বুলি আগ-জাননী পাই ৰং পাইছো।

প্ৰতি শুক্লা তৃতীয়াত অসমৰ সাহিত্যাকাশত যেন "ন-জোন" ওলাই পোহৰ দি থাকে। প্ৰতি ৰঙ্গালি বিহুত "বৰদৈ চিলাও" যেন অসম-মাতৃৰ ঘৰলৈ বিহু খাবলৈ আহি আমাক ৰং লগাই থাকে।

বৰ সুখৰ বিষয় যে কলা-কুশল সঙ্গীত-বীৰ শ্ৰীমান জ্যোতিপ্ৰসাদ আগৰৱালাই চিত্ৰবনৰ পৰা অনেক পৰিশ্ৰম আৰু ধন খৰচ কৰি সৰ্ব্বপ্ৰথমে অসমীয়াত জয়মতি কুঁৱৰী নাটকৰ সবাক চলচ্চিত্ৰ উলিয়াই অসমৰ মুখ উজ্জ্বল কৰিছে, অসমীয়াৰ গৌৰৱ বঢ়াইছে। পৰমেশ্বৰে তেওঁৰ মনোবাঞ্ছা পূৰ্ণ কৰি তেওঁক দীৰ্ঘজীৱী আৰু তেওঁৰ এই চিত্ৰাভিনয় সাফল্যমণ্ডিত কৰোক, এই প্ৰাৰ্থনা।

নিভাজ পুৰণি অসমীয়া সুৰৰ গান গ্ৰেমোফনৰ ৰেকৰ্ডত প্ৰকাশ কৰা বাবে শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱলৈ শলাগৰ শৰাই আগ বঢ়াইছোঁ।

"চন্দ্ৰকান্ত সন্দিকৈ হল" নাৰায়ণী সন্দিকৈ ৰিচাৰ্চ্চ্ ইন্‌ষ্টিটিউট্" আৰু "চন্দ্ৰকান্ত অভিধানৰ" বাবে দানশীল ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়াৰ ওচৰত অসমীয়া জাতি চিৰ-কৃতজ্ঞ থাকিব। তেখেতৰ কীৰ্ত্তি যুগমীয়া হৈ ৰব।

কাইথেলী অঙ্কৰ পুথি প্ৰকাশ কৰা বাবে শ্ৰীযুত দণ্ডিনাথ দত্তক শলাগিছোঁ।

সাহিত্যিক আৰু পুৰণি অসমীয়া পুথি-প্ৰকাশক ৺পণ্ডিত শিৱনাথ ভট্টাচাৰ্য্য আৰু প্ৰতিভাশালী সাহিত্যিক বাগ্মী ডেকা উকীল স্বদেশপ্ৰেমিক ৺লক্ষ্মীধৰ শৰ্ম্মা, এম-এ বি-এল, দেৱৰ এইবছৰত অকাল মৃত্যু হোৱাত দেশৰ বৰ হানি হ'ল। তেওঁলোকৰ আত্মাৰ সদ্গতিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। আশা কৰোঁ ৺লক্ষীধৰৰ জীৱনী অলপতে ওলাব।

কলিকতা বিশ্ববিদ্যালয়ৰ এম-এ পৰীক্ষা পৰ্য্যন্ত বৰ্ত্তমান যুগত অসমীয়া ভাষাই স্থান পাইছে। উক্ত বিশ্ববিদ্যালয়ে মাতৃ-ভাষাৰ জৰিয়তে উচ্চশিক্ষা দিয়াৰ যি ব্যৱস্থা কৰিব খুজিছে সেই বিষয়ে আমাৰ সুধীবৃন্দৰ মনোযোগ আকৰ্ষণ কৰিব খোজো। সাহিত্য, গণিত, বিজ্ঞান আদি বিষয়ৰ উৎকৃষ্ট কিতাপ আমাৰ ভাষাত উলিয়াব পাৰিলে সেই ব্যৱস্থা মতে কাৰ্য্য কৰিবলৈ অসুবিধা নহব।

অসম কোষ

আমাৰ ভাষাত "অসমকোষ" নামে এখন পুথি লিখাই প্ৰকাশ কৰা উচিত। সেই পুথিৰ আগছোৱাত পুৰণি অসমৰ মানচিত্ৰ আৰু ইতিহাস পুৰাণ প্ৰসিদ্ধ ঠাই বিলাকৰ চমুবিবৰণ থাকিব লাগে; আৰু শেষ ছোৱাত অসমৰ ধৰ্ম্মবীৰ আৰু কৰ্ম্মবীৰ সকলৰ চমুজীৱনী থাকিব লাগে। এই কামটি কামৰূপ অনুসন্ধান সমিতিয়ে হাতত লব পাৰে।

লাগতিয়াল অনুষ্ঠান

অসম উপত্যকাত সম্প্ৰতি তিনটি লাগতিয়াল অনুষ্ঠান আছে। যেনে,—

(১) কামৰূপ অনুসন্ধান সমিতি

(২) অসম সাহিত্য-সভা

(৩) অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব

বিভাগ। ঘাইকৈ অসমৰ পুৰণি তথ্য চৰ্চ্চা কৰাই এই তিনিউটি অনুষ্ঠানৰ লক্ষ্য। বন্ধুবৰ শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী দেউৰ মততে মত দি ক'ব খোজোঁ। যে "প্ৰত্ন-তত্ত্বৰ বিচাৰ অনুসন্ধান সমিতিৰ কাম হওক ; অসম সাহিত্য-সভাই ভাষা আৰু সাহিত্যৰ চৰ্চ্চাত নিজ শক্তিৰ পৰিচালনা কৰক আৰু অধ্যাপক ভূঞাৰ বিভাগে বাছি লোৱা নিজ লাগতিয়াল কাম কৰি যাওক।" কামৰূপ অনুসন্ধান সমিতিৰ সুযোগ্য সভাপতি ৰায় বাহাদুৰ শ্ৰীযুক্ত কনকলাল বৰুৱা ডাঙৰীয়াই "Journal of the Assam Research Society" নামে তিনিমহীয়া আলোচনী সম্পাদন কৰি তাত অসমৰ অনেক পুৰণি তথ্য প্ৰকাশ কৰা বাবে তেখেতৰ শলাগ লৈছোঁ।

গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু সুবাতত্ত্ব বিভাগৰ ডিৰেক্টৰ অক্লান্তকৰ্ম্মী কবি-সাহিত্যিক অধ্যাপক ভূঞাদেউে দক্ষতাবে প্ৰশংসনীয় কাম কৰি অগণ দিনৰ ভিতৰতে কেৱাখনো মূল্যবান পুৰণি বুৰঞ্জী প্ৰকাশ কৰিছে। তেওঁৰপৰা আমি অসমীয়া জাতিৰ এখন বিস্তৃত বুৰঞ্জী পাম বুলি আশা কৰিছোঁ। আত্ম-বিস্মৃত অসমীয়া জাতিক অতীত গৌৰৱ সোঁৰাই দি উন্নতিৰ বাটত আগুৱাবলৈ তেনেকুৱা এখন সুলিখিত বুৰঞ্জীয়ে নিশ্চয় উদ্দীপনি দিব। যি জাতিয়ে নিজৰ অতীত ইতিহাস আৰু সাহিত্য পঢ়ি গৰ্ব্ব অনুভৱ নকৰে, সেই জাতিয়ে নিজৰ চৰিত্ৰৰ আলমকে হেকৰায়।

এই প্ৰদেশৰ নিমিত্তে গুৱাহাটী নগৰত এটি মিউজিয়ম বা মাদুঘৰ স্থাপিত হোৱা নিতান্ত বাঞ্ছনীয়। অসমৰ বাহিৰে ভাৰতৰ আন সকলো প্ৰদেশত মিউজিয়ম আছে। কোনো কোনো প্ৰদেশত একাধিক মিউজিয়ম থকাও জনা গৈছে। মিউজিয়মৰ থাই উদ্দেশ্য হৈছে,—(১) আনন্দ, (২) লোক-শিক্ষা, (৩) অনুসন্ধান আৰু (৪) আবিষ্কাৰ। নিজৰ দেশৰ অতীত গৌৰৱৰ বস্তুবিলাক দেখিলে স্বভাৱতে মনত আনন্দ লাগে। সেই বস্তুবিলাক চাই জাতিৰ উঠন-পতন বুজিব পাৰি। ভালকৈ অনুসন্ধান কৰিলে সেইবিলাকৰ পৰা অনেক পুৰণি তথ্য আবিষ্কাৰ কৰি ইতিহাস লিখিব পাৰি।

মিউজিয়ম

"অসম দেশ সুখ্যাতিৰ সমাধি ক্ষেত্ৰ।" এই কথা এজন ইংৰাজ ভাঙৰ মানুহে লিখি গৈছে। খনিৰ অতল গৰ্ভৰ থকা হীৰাৰ দৰে, সাগৰৰ অতল তলিত থকা মুকুতাৰ দৰে, পুৰণি অসমৰ কীৰ্ত্তিমালা পাহৰণি-মৈদামৰ গভীৰ তলত, সময়ৰ বালিত পোতপাই, ক্ৰমে জহি খহি যাব লাগিছে। মাজে সময়ে একোখন তামৰ ফলিয়ে, একোখন শিলালিপিয়ে, দুই চাৰিটা পুৰণি মোহৰে, দুই চাৰিখন পুৰণি পুথিয়ে আৰু অথাৰ অৱশ্যৰ মাজত বা নিৰ্জ্জন পৰ্ব্বতৰ দাঁতিত শিলৰ ভগা মূৰ্ত্তি, ভগা মন্দিৰ, এৰা নগৰৰ আৰু ভগা শিল, ভগা ইটাৰোৱে হা-হুমুনিয়াহ কাঢ়ি বাটকৰাক পুৰণি অসমৰ অতীত গৌৰৱ সোঁৰাই দিয়ে। দাৰ্শনিক কবি ভট্টাচাৰ্য্য ডাঙৰীয়াই মনৰ বেজাৰত গাইছে :—

"সিদিনা বোসৰ ভগা শিলবিলাকে
নিজ স্বাধীনতা আনিলে মাতি,
গ্ৰীচকো ইদৰে ই চিন বিলাকে
ৰগাৰে সিদিনা একতাত গাঁথি।
তেম্বে তুজ্ক বুলি মেভাৰো ই শিল
হিয়াৰ মাজৰ জপৰ ধন।
কবিৰ এদিন অসম সন্তানে
পৰাণ প্ৰতিষ্ঠা ইয়াৰ সাধন।

* * *

সিদিনা বুৰঞ্জী কবিব উদ্ধাৰ,
আছে লিখা এই শিলৰ ভিতৰ,
চিয়াহিবে লিখা নহয় পাতত,
মৃণ্ময়ীয়া ইটাৰে লিখা শোণিতৰ।"

আজি কালি পুথি-ভঁৰাল স্থাপনৰ নিমিত্তে প্ৰায় সকলো দেশতে এটা আন্দোলন চলিছে, যাতে পুথি-ভঁৰালৰ যোগেদি শেষত শিক্ষা বিস্তাৰ হয়, জন-সমাজত জ্ঞানৰ পোহৰ পৰে, সেই উদ্দেশে নানা দেশত পুথি-ভঁৰাল সমিতি স্থাপিত হৈছে। য়ুৰোপ, আমেৰিকা আদি দেশত এনে কোনো স্কুল, কলেজ বা বিশ্ববিদ্যালয় নাই যাৰ লগত একোটা লাইব্ৰেৰী নাই। সেই বিলাক দেশৰ দুখীয়া

পুথি-ভঁৰাল আৰু লোক-শিক্ষা

তৰপৰ মানুহৰ কাৰণে অতি কম দামত সুলভ সংস্কৰণ পুথি আৰু বাতৰি-কাকত প্ৰকাশ কৰা হয়। বন্ধুত্ব-বিলাকৰ কাৰণেও নিইতৰ উপযোগী পুথি-ভঁৰাল কাৰখানাবিলাকত বণ্টা হয়। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত শিক্ষা আৰু সভ্যতা বিস্তাৰ কৰাই পুথি-ভঁৰালৰ থাই উদ্দেশ্য। অনাৰ অসমত আজিলৈকে পুথি-ভঁৰাল-সমিতি স্থাপিত হোৱা নাই। গাৱঁলীয়া প্ৰাথমিক আৰু মঞ্জলীয়া স্কুলবিলাকত পুথি-ভঁৰাল নাই ; হাইস্কুলবিলাকত যি পুথি-ভবাল আছে, সি নামতেহে সাৰ। সৰ্ব্বসাধাৰণৰ কাৰণে গাৱলীয়া ঠাইত পাঠাগাৰ নাই বুলিলেই হয়। আমাৰ দেশত চলন্তা পুথি-ভবাল (Travelling public library) আজিলৈকে স্থাপিত হোৱা নাই। আগৰ দিনত ওজা-পালীয়ে ৰামায়ণ, মহাভাৰত পুৱাণ আদি গাই শুনাইছিল। এতিয়া ওজা-পালীও নোহোৱাৰ নিচিনা হৈছে। কোনো কোনো গাৱত "পাঠক" উপাধিৰ মানুহ আছে, কিন্তু প্ৰকৃত পাঠক বিচাৰি পোৱা টান। আন কি আজি-কালি বিয়া বা গোপিনী-সবাহত নাম গাবলৈ ভাল নামতী পোৱা নাযায়। গাৱলীয়া সত্ৰ, নাম-ঘৰ, দেৱালয় আদিৰ অৱস্থা শোক-লগা। ভাওনা সবাহলৈ ইংৰাজী শিক্ষা পোৱা ডেকাসকলৰ শ্ৰদ্ধা কমি গৈছে। ভাওনাত ভাৰবীয়া সকলৰ নৃত্য-গীত, ভঙ্গী আদিত যদি কিবা অৱনতি ঘটিছে, তাৰ বাবে শিক্ষিত সমাজ দায়ী নহয়নে? চাকনিচৰ ক্লাউনতকৈ আমাৰ ভাওনাত কোনো কোনো বহুৰাই বেছিকৈ মানুহ হঁহুৱাব পৰিছিল। বহুৰাৰ ভিতৰতো স্বভাৱ-কবি আছিল। বঙ্গদেশত থিয়েটাৰ, চিনেমা আদি থকা স্বত্বেও যাত্ৰাভিনয়ৰ অৱনতি ঘটা নাই। সেই দেশৰ শিক্ষিত সমাজে যাত্ৰাকৈ আওহেলা কৰা নাই। আনকি বঙ্গালীয়ে তেওঁলোকৰ লুপ্তপ্ৰায় গাৱঁলীয়া নৃত্য (Folkdance) পুনৰ চলাবলৈ আয়োজন কৰিছে ; ছায়া-চিত্ৰৰ সহায়েৰে গাৱলীয়া মানুহক নানা সজ শিক্ষা দিবাৰ উপায় কৰিছে ; লাইব্ৰেৰী সমিতি স্থাপন কৰি লাইব্ৰেৰী সম্বন্ধে গৱৰ্ণমেণ্টৰ দ্বাৰাই এখন আইন মঞ্জুৰ কৰাইছে। বঙ্গদেশত লোক শিক্ষাৰ নিমিত্তে আৰু নিবন্ধৰা সভা সমাধান নিমিত্তে নানা উপায় অৱলম্বন কৰা হৈছে। আমি আজিলৈকে "সদৌ অসম লাইব্ৰেৰী সমিতি" এখনকে স্থাপিত কৰিব পৰা নাই। অসমৰ ৱকেলবৰ্ড আৰু মিউনিচিপেল আইনত লাইব্ৰেৰীৰ কাৰণে দান দিবলৈ বিধান আছে। কিন্তু আমি সেই বিধানৰ সুবিধা ভোগ কৰিব পৰা নেই। তাৰ নিমিত্তে আমি দায়ী নহওঁনে? যি গাৱত পঢ়াশালি নাই, সেই গাৱৰ নামৱৰতে পঢ়াশালি পাতিব পাৰি, পুথি ভবালো স্থাপন কৰিব পাৰি। লোকশিক্ষাৰ নিমিত্তে বঙ্গদেশত সুন্দৰ সাহিত্য ৰচিত হৈছে। আমি কৰিছো কি? "ডাক ভণিতা," "কীৰ্ত্তন" আৰু নামঘোষাৰ দৰে সমূহ বাইজৰ উপযোগী কোনো অমৰ গ্ৰন্থ আমি প্ৰকাশ কৰিব পাৰিছোঁ নে! যিবা অসমীয়া ৰামায়ণ আৰু মহাভাৰত আছে, তাকো আমি নকৈ ছপাই উলিয়াব নোৱাৰাত আমাৰ মানুহে বঙ্গলা ৰামায়ণ আৰু মহাভাৰত পঢ়িব লগাত পৰিছে। বঙ্গালীৰ লগত দেখা হলে আজ্ঞা বুলি দুই চাৰি আষাৰ আগা ফুটা বঙ্গলা কথা কৈ সভ্যালিব চিনাকি দিছে। গাৱলীয়া কোনো ডাক ঘৰত সোমালে কি দেখিবলৈ পাওঁ?—বঙ্গলা কিতাপ, বঙ্গলা কিতাপ অসমীয়াৰ নামে আহি আছে কিন্তু অসমীয়া কাকত বা কিতাপ ৰুচিংহে দেখিবলৈ পোৱা যায়। অসমীয়া গাওঁ এখনেও গলে ছোৱালীৰ গাত দেখিম বিদেশী গহনা বিদেশী সাৰী। বিহাগমেখলাৰ ব্যৱহাৰ, এৰী, মুগা, পাটৰ, কাপোৰ, কমি আছিছে।

"যি দেশৰ তিৰোতাই এবে ৰাতিতেই
কপাহৰ সুতা কাটি কাপোৰ যোগায়
এবৰীয়া কাপোৰেৰে বগুৱা সজায়,
সি দেশত আজি তেনে বোৱা-কটা নাই ;
বিদেশী বসন পিন্ধি হইছে ধুনীয়া,
সচাকৈয়ে আমি জানো সেই অসমীয়া?"

আগৰ চিৰা, সন্দেহ লোৱা পিঠাগুৰি, কোমল চাউল গুড়, গাখীৰ পিঠা-পনাৰ সলনি এতিয়াৰ গাৱলীয়াই চাছ-পানী, লুচি পুৰিৰে আলহী সোধে, সকাম কৰে ; অন্ধলাৰ দৰে অনুকৰণৰ ফলত গাৱতো অলাগতীয়া

লাহ-বিলাহৰ বস্তু সোমাইছে ; বিলাসীতা বাঢ়িছে। এতিয়াৰ গাৱলীয়াৰ অৱস্থা—

"বাহিৰলৈ চোৱা যদি বৰ চুৰিয়াৰ ফেৰ,
ভিতৰলৈ চোৱা যদি ঢকুৱাৰ বেৰ।

অসমীয়া গাৱত আগৰ দৰে নিভাজ গাখিৰ, এঠা দৈ আজি কালি পোৱা টান। আগৰ অসমীয়া মহ একো জনীৰ শিঙ্গত চেলেং কাপোৰ মেলি দিব পৰা গৈছিল এতিয়া তেনেকুৱা অসমীয়া মহ ক্ৰমে লোপ পাই আহিছে। গাৱত পকা তেল বিচাৰিলে পাবলৈ নাই ; নেপালীয়ে গাখীৰ বেচে, বিদেশী তেলিয়াই তেল বেচে ; বিদেশী জালোৱাই মাছৰ মহল লয় ; বিদেশী কুমাৰে চৰু-কলহ যোগায় ; ধোবা, নাপিত, চমাৰ, কমাৰ বিদেশী। গাৱে গাৱে কেঞাৰ দোকান। প্ৰায় সকলো গাৱলীয়া ৰায়ত কেঞা-মহাজনৰ ধৰুৱা। এতিয়াৰ অসমীয়া ৰায়ত ধৰুৱা হৈ ওপজে, ধৰুৱা হৈয়ে মৰে, ধাৰৰ অন্ত নপৰে। স্বাস্থ্য-ৰক্ষা, সন্তান-পালন, প্ৰসূতিৰ চিকিৎসা আৰু ৰোগীৰ পৰিচৰ্য্যাৰ নিয়ম নজনাত অনেক প্ৰসূতী আৰু শিশু সন্তানৰ অকাল মৃত্যু ঘটিছে। এই অকাল মৃত্যু নিবাৰণৰ বাবে অসমৰ সকলো জিলাতে Redcross Society. স্থাপন কৰা বাঞ্ছনীয়। এই সাহিত্য সন্মিলনীৰ লগত ধন বিজ্ঞানৰো এখন শাখা সন্মিলনী পতা ভাল দেখো। তাত গবৰ্ণমেণ্টৰ কৃষি, শিল্প, সমৱায় সমিতি, স্বাস্থ্য আদি বিভাগৰ কৰ্ম্মচাৰী সকলেও যোগ দিব পাৰে ; অৰ্থ নৈতিক সমস্যাৰ আলোচনা কৰিব পাৰে। সোণৰ অসমক দৰিদ্ৰতাই ঢাকি ধৰিছে। দিনকদিনে অসমৰ দৰিদ্ৰতা বাঢ়ি গৈছে। জীৱন-যুদ্ধত অসমীয়া পাছ পৰি গৈছে, আমাৰ দেশৰ আৰ্থিক দুৰৱস্থা দূৰ কৰিবৰ নিমিত্তে লুপ্তপ্ৰায় কুটীৰ শিল্পবিলাক উদ্ধাৰ কৰিব লাগিব ? আমি স্বদেশী হব লাগিব। যাৰ স্বদেশলৈ মৰম আছে তেওঁ নিশ্চয় স্বদেশৰ উৎপন্ন বস্তু মাতৃৰ দান বুলি আগ্ৰহেৰে লব। আমাৰ সামাজিক শ্ৰাদ্ধ, বিয়া, উৎসৱ আদিৰ খৰচো কমাব লাগিব। গাওঁ-সংগঠনলৈ মন দিব লাগিব।

ধন-বিজ্ঞান

বহুসকল দেশৰ দৰিদ্ৰতা, অজ্ঞানতা, গুচাবৰ প্ৰধান উপায় শিক্ষা। শাৰীৰিক, মানসিক আধ্যাত্মিক আৰু আৰ্থিক উন্নতিৰ উপায় শিক্ষা—সাধাৰণ শিক্ষা বিস্তাৰ—জ্ঞানৰ বিস্তাৰ। জ্ঞানতকৈ পৱিত্ৰ আৰু ক্ষমতাৱন্ত বস্তু এই জগতত একো নাই। শিক্ষাৰ দ্বাৰা জ্ঞান লাভ হয়। মাতৃ আৰু সাহিত্যৰ উন্নতি নহলে শিক্ষাৰ উন্নতি হব নোৱাৰে। আমাৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ ওপৰত আমাৰ জাতীয় উন্নতি যাইকৈ নিৰ্ভৰ কৰে। সাহিত্যই সমাজৰ শিক্ষক, জাতিৰ দাপোন। অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কৰাই অসম সাহিত্য সভাৰ উদ্দেশ্য। এই সভা যে আমাৰ এটি মহৎ লাগতিয়াল অনুষ্ঠান আৰু জাতীয় উন্নতিৰ প্ৰধান সহায়ক তাক, কোৱা বাহুল্য। এই সভাক সহায়তা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্ত্তব্য। অসমীয়া মাত্ৰেই ইয়াৰ সভ্য হোৱা উচিত। এই সভাৰ লগতে আমাক এটি জাতীয় ধন ভৰাল লাগে। আশা কৰোঁ আমাৰ গবৰ্ণমেণ্ট আৰু লকেলবৰ্ডবিলাকৰ পৰাও আগৰ দৰে এই সভাই সাহায্য পাব।

সাহিত্য-সভাৰ উদ্দেশ্য

আমাৰ কৰিব লগীয়া কাম বহুত আছে ; ধনৰ অভাৱত কৰিব পৰা নাই। যেনে—পুৰণি পুথি গীত সাথৰ, পটন্তৰ ফঁকৰা আৰু সাধুকথাবিলাক সংগ্ৰহ কৰি প্ৰকাশ কৰা ; মৌলিক আৰু শিশু পাঠ্য পুথিৰ সংখ্যা বঢ়োৱা ; গল্প সাহিত্যৰ উন্নতি কৰা ; বিশ্ব সাহিত্যত ঠাই পোৱা পৃথিবীৰ জ্ঞানীলোকসকলৰ বহুমূলীয়া পুথিবিলাক অসমীয়ালৈ ভাঙ্গি দেশত প্ৰচাৰ কৰা শিশুপালন, প্ৰসূতিৰ চিকিৎসা, ৰোগীৰ পৰিচৰ্য্যা সংক্ৰামক ব্যাধি নিবাৰণৰ উপায়, স্বাস্থ্য ৰক্ষা, গোপালন কৃষি বাণিজ্য আৰু ঘৰুৱা শিল্পৰ সৰু সৰু পুথি লিখি ৰাইজৰ মাজত বিলোৱা ; আগৰ দিনৰ ক্ৰীড়া কৌতুক বা খেল ধেমালিৰ বিৱৰণ লিখি প্ৰকাশ কৰা ইত্যাদি আখৰ জোটনিৰ বেমেজালি আৰু স্কুলীয়া পাঠ্য পুথিবোৰৰ ভুল শুধৰাবলৈ এখন সমালোচক সমিতি গঠন কৰি সেই সমিতিৰ মতামত বাতৰি কাকতত প্ৰকাশ কৰাৰ দিহা কৰা ভাল।

"অসম সাহিত্য-সভা পত্ৰিকা"খন আকৌ প্ৰকাশ কৰা উচিত। সাহিত্য-সন্মিলন বহাৰ আগতে বা পাছতে অন্ততঃ বছৰত এবাৰকৈও এই পত্ৰিকাখন উলিয়াব পাৰিলে আমাৰ শিক্ষিত সমাজে সন্তোষ পাব।

ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙ্গৰীয়াই ৫০০৲ টকা দান কৰি তেখেতৰ স্বৰ্গীয় পিতৃদেৱতাৰ নামে যোৰহাটৰ "বিষ্ণুৰাম লাইব্ৰেৰী" নামে সৰ্ব্বসাধাৰণৰ কাৰণে এটি পুথি-ভৰাল খোলাত সদৌ অসমে ৰং পাইছে। তেখেতৰ এই মহৎ দানৰ বাবে আমি তেখেতলৈ গভীৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। এই খিনিতে কৈ থওঁ যে তেখেতৰ বদান্যতাৰ গুণতে আমি "বাতৰি" কাকতখন পঢ়িবলৈ পাইছোঁ। আশা কৰোঁ, অসম বিশ্ববিদ্যালয় আৰু মিউজিয়মৰ কাৰণেও তেখেতে মুক্ত হস্তে দান কৰি অসমৰ গৌৰৱ বঢ়ায় আৰু তেখেতৰ কীৰ্ত্তি যুগমীয়া কৰিব।

আমাৰ দেশৰ বামুণ, গোঁসাই আৰু মহন্তৰ লৰা বিলাকৰ শিক্ষাৰ কাৰণে অসম উপত্যকাত সংস্কৃত কলেজ নাই। অশিক্ষিত বামুণ বা গোসাইৰ প্ৰতি শিক্ষিত সমাজৰ শ্ৰদ্ধা কমি গৈছে। গাৱঁলীয়া সত্ৰ আৰু নামঘৰবিলাকৰ অৱস্থা ক্ৰমে শোচনীয় হৈছে। আমাৰ দেশৰ ভাষা, কৃষ্টি আৰু হিন্দু সমাজৰ বিশিষ্টতালৈ চাই অসমীয়া হিন্দুসকলে এনেকুৱা এখন গুৰুকুল-বিদ্যালয় বিচাৰে য'ত গোসাঁই মহন্তৰ লৰাই সত্ৰাধিকাৰ হবৰ উপযোগী আৰু পুৰোহিত বামুণৰ লৰাই পৌৰহিত্য কৰিবৰ উপযোগী শিক্ষা পাব পাৰে। সেই বিদ্যালয়ত মাতৃভাষা আৰু সংস্কৃত দুয়োকো শিকাব লাগে। তাত নাম-কীৰ্ত্তন, ঘোষা, গীত, গায়ন-বায়ন, নাট, ভাওনা, ভাগৱত, পাঠ, নিত্য-নৈমিত্তিক সন্ধ্যা গায়ত্ৰী আদিৰ পৰা জ্যোতিষ, আয়ুৰ্ব্বেদ, স্মৃতি, উপনিষদ, দৰ্শন আদিলৈকে শিক্ষা দিব পৰা ব্যৱস্থা থাকিব লাগে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা ধামত তেনেকুৱা এখন বিদ্যালয় স্থাপনৰ কাৰণে আমাৰ দেশৰ গোসাই-মহন্ত সকলৰ ওচৰত সবিনয়ে গোহাৰি কৰিছোঁ।

আমাৰ দেশৰ সকলো জান জুৰি আৰু শাখা বা উপনৈবিলাকৰ পানী ব্ৰহ্মপুত্ৰৰ পানীৰ লগত মিলাৰ দৰে আমাৰ সকলো জাত আৰু উপজাত মিলি অসমীয়া জাতি গঠিত হৈছে। Caste বা জাততকৈ Nation বা জাতি যে বহুত ডাঙ্গৰ এই কথা যেন আমি নাপাহৰোঁ। আমাৰ জাতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থবিলাক জাতিৰ কল্যাণৰ কাৰণে ত্যাগ কৰিব লাগিব। "To be united is to be strong""সংহতি কাৰ্য্য-সাধিকা"। জাত-কুল বিচাৰি কোনোৱে কোনো মানুহক ঘিণাব নাপায়। কোনো ব্যৱসায় হীন নহয়। আমি সকলো অসমীয়া যেন এটা পৰিয়ালৰ, এটা জাতিৰ মানুহ, এক অদ্বিতীয় পৰম পিতা পৰমেশ্বৰৰ আৰু এক অসম মাতৃৰ সন্তান, এনে বিবেচনা কৰি, ঘৃণা, দ্বেষ, অস্পৃশ্যতা বৰ্জ্জন কৰি, পৰস্পৰে পৰস্পৰৰ দুখত দুখী সুখত সুখী হৈ মিলাপ্ৰীতিৰে আমাৰ মাতৃভূমি আৰু মাতৃভাষাৰ সেৱাত প্ৰবৃত্ত হওঁ আহক। অসমৰ উন্নতি অসমীয়া জাতিৰ উন্নতি আমাৰ লক্ষ্য হওক।

"দিব্য কল্পতৰু ছাঁত, শিপিনী বোৱাঁহি তাঁত,
কৃষক বোৱাঁহি ধান, বেপাৰী ধৰাহি 'মান,'
পণ্ডিত প্ৰচাৰাঁ জ্ঞান, কবি গোৱাঁ স্তুতি গান,
উছাহ অগনি লই, মিলনৰ মন্ত্ৰ গাই,
মহা যজ্ঞ কৰাঁ আয়োজন,
দিগ্বিজয়ী 'দেৱতা-সাধন"।

সামৰনি

বৰ্ত্তমান কালৰ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া সাহিত্যিক অসমগৌৰৱ শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াই তেওঁৰ অমৃতময়ী লেখনীৰে প্ৰথম বছৰৰ অসমীয়া ভাষা আৰু সাহিত্যৰ বিষয়ে যি লিখিছিল তাকে মোৰ বক্তব্যৰ সামৰণি স্বৰূপে ক'ব খোজোঁ। তেখেতে লিখিছিল :—

"আপোনাসকলে সাৰোগত কৈ জানিব, অসমীয় ভাষাৰ উন্নতি, অসমীয়া সাহিত্যৰ উন্নতি, অসমৰ উন্নতিৰ প্ৰথম চাপ। আমি একান্ত মনে পৰিশ্ৰম কৰি তাৰ উন্নতিৰ অৰ্থে লাগি গলে নিশ্চয় আমাৰ যত্নই সুফল ফলিয়াবই। বঙ্গদেশৰ মানুহৰ লেখ সৰহ, আমাৰ দেশৰ লেখ তাকৰ, সেই বাবে আমি তেওঁলোকৰে সৈতে সমানে আগ বাঢ়িব

পৰা নাই, এনে বিধৰ কথা কৈ মনক প্ৰবোধ দিয়া সকলে জানিব যে সেই প্ৰবোধ মিছা, তাৰে আমাৰ গা নৰয়। লেখত তাকৰীয়া মানুহেও লেখত সৰহীয়াতকৈ ডাঙৰ আৰু সৰহ কাম কৰিছে আৰু কৰিব পাৰে। জাপান আৰু চীন, ইংলণ্ড আৰু ভাৰতবৰ্ষ, আমাৰ কথাৰ জলজলীয়া প্ৰমাণ। আমি মানুহ-মুৱা হলেই আমাৰ উন্নতিৰ প্ৰবল গতি কোনেও ৰোধ কৰিব নোৱাৰে! আমি হেৰুৱা মনুষ্যত্ব আকৌ লভিব পাৰিলে আমাৰ উদ্গতিৰ প্ৰচণ্ড-প্ৰতাপে আকৌ দিশবিদিশ তোলপাৰ লগাব। আমাৰ গাৰ পৰা মিছা ভেম গৈ তাৰ ঠাইলৈ প্ৰকৃত আত্ম সম্মান আহিলে আমি এই দৰে মুজুৰা লাগি থাকিব নোৱাৰোঁ নিশ্চয় জানিব। এইবোৰ পাবৰ প্ৰধান উপায় জ্ঞান



শোভাযাত্ৰাৰে সভাপতিক আগবঢ়াই অনা দৃশ্য। শোভাযাত্ৰাৰ আগ ভাগত স্কাউট সকল

উপাৰ্জ্জন, বিদ্যা উপাৰ্জ্জন, আৰু মাতৃভাষাৰ উন্নতি সাধন। স্বদেশ আৰু স্ব[illegible]তিৰ উন্নতি আৰু মঙ্গল-মন্দিৰৰ সিংহ-দুৱাৰ হৈছে মাতৃভাষা। এনে মাতৃ-ভাষাৰ সেৱক হৈ প্ৰগাঢ় ভক্তিৰে তাৰ কুশলৰ অৰ্থে নিজৰ এই নশ্বৰ দেহৰ সকলো ক্ষমতা সমৰ্পণ কৰি আমি এহাশুধীয়া ভাৱে আমাৰ কৰ্ত্তব্য কাম কৰি গলে নিশ্চয় অচিৰতে মঙ্গলৰূপী উন্নতিৰ কিৰীটিয়ে অসম আইৰ পবিত্ৰ মূৰ শোভা কৰিব, অসমদেশৰ ইমূৰৰ পৰা সিমূৰলৈকে আকৌ সুখৰ সুশীতল সুমন্দ মলয়া পবন ব'ব, আকৌ শান্তিৰ সুবিমল জেউতিয়ে অসম-আকাশ পোহৰ কৰিব, আকৌ জ্ঞানৰ ওখ পতাকা অসমআইৰ পৱিত্ৰ মন্দিৰৰ চূড়াত উৰিব, আকৌ অসমৰ সম্পদৰ বাতৰি মহাবাহু ব্ৰহ্মপুত্ৰই দেশ-বিদেশত আনন্দ মনেৰে বিলাই ফুৰিব, আকৌ অসমৰ লুপ্ত পুৰণি গৌৰৱ নীলাচলৰ পবিত্ৰ শিখৰে অম্লান বদনে পূব পশ্চিম উত্তৰ দক্ষিণত প্ৰচাৰ কৰিব, স্বৰ্গৰ পৰা দেৱঙ্গনাসকলে অসমীয়াৰ মূৰত পাৰিজাত পুষ্প বৃষ্টি কৰিব, আৰু আমিও আমাৰ ইহজনম সফল কৰি নিজক ধন্য মানিমহ'ক।"

বন্ধু সকল, এই বহুমূলীয়া বাণী সাৰোগত কৰি, আহক, আমি সকলোটি মিলি কাৰ্য্যক্ষেত্ৰত আগবাঢ়ো। অসমৰ যোৱা চেন্সাচ্ ৰিপোৰ্টত অসমীয়া জাতিৰ ভবিষ্যতৰ বিষয়ে মূলান চাহাবে যি লিখিছে তালৈ মন কৰক। এতিয়া আৰু হাত-সাবটি বহি থাকিবৰ সময় নাই। জোৰ পুৰি হাত পাইছেহি। প্ৰশ্ন উঠিছে, অসমীয়া জাতি তিষ্ঠিব পাৰিব নে? মই আশাবাদী। এই পৃথিবী যোগ্যৰ ঘৰ। যোগ্য ওপৰলৈ উঠিব, অযোগ্য তললৈ খহি পৰিব। আমি প্ৰতিযোগিতাৰ বাটত আগ বাঢ়ি নিজৰ যোগ্যতা দেখাব পাৰিলে, সময়ৰ লগত খোজ দি চলিব পাৰিলে, "গাই গোটা পেটে ভঁৰাল" নহৈ দেশৰ মঙ্গলক নিজৰ মঙ্গল ভাবি, জাতিৰ উন্নতিক নিজৰ উন্নতি বুলি ভাবি একাগ্ৰতাৰে সৈতে আমাৰ কৰ্ত্তব্য কৰি যাব পাৰিলে, নিশ্চয় আমি তিষ্ঠিব পাৰিম; আমাৰ যোগ্য আসন অধিকাৰ কৰি অসমৰ লুপ্ত গৌৰৱ ঘূৰাই আনিব পাৰিম। আশা কৰোঁ, আমাৰ এই জীৱন মৰণৰ সন্ধিস্থলত তৰুণ অসম জাগি উঠিব, আকৌ অসমৰ ইতিহাসৰ পুনৰভিনয় হ'ব। "সাজু হবৰে হ'ল ডেকা লৰা, সাজু হ'বৰে হ'ল"।

আজি মই আপোনাসকলৰ ওচৰলৈ ভিক্ষাৰ জোলোঙা লৈ আহিছোঁ। অসম সাহিত্য-সভাৰ কাৰণে মোক ভিক্ষা লাগে। আচল পাতিছোঁ। ভিক্ষাং দেহি।

ধন নহলে কোনো সজ কাম কৰিব নোৱাৰি। ধনৰ অভাৱত এই মহৎ জাতীয় অনুষ্ঠানটি অচল হৈ পৰিছে। যথাশক্তি ভক্তিৰে মাতৃপূজাৰ বেদীত আজি অলপ দক্ষিণা দান কৰক। কথাতকৈ কামৰ মূল্য বেছি। কথা বহুতো কোৱা হল। দেশে বিচাৰিছে কাম, দেশক লাগে দান। দান অতি ক্ষুদ্ৰ হলেও সাদৰে গৃহীত হব। দান দিয়ক। পুণ্য আৰ্জ্জক, জাতীয় ধন-ভঁৰাল এটি খোলক। দেশৰ সেৱা কৰিম বুলি বাক্য দিয়ক। জাতীয় গৌৰৱ ৰক্ষা কৰক। দেশৰ সেৱা, ৰাইজৰ সেৱাই ঈশ্বৰৰ সেৱা। ৰাইজৰ আশীৰ্ব্বাদেই ঈশ্বৰৰ আশীৰ্ব্বাদ।



অভ্যৰ্থনা সমিতিৰ কেইজনমান সভ্য আৰু গাড়ীত সভাপতি—চহৰৰ ভিতৰেদি শোভাযাত্ৰা কৰি সভালৈ যাব লাগিছে।

দিব্যলোকৰ পৰা দেৱতাসকলে, আমাৰ স্বৰ্গীয় পূৰ্ব্বপুৰুষসকলে আমাক আশীৰ্ব্বাদ কৰিছে,—"বীৰোভৱ"। আকাশী বাণী শুনিছো,—"উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্ নিবোধত"। এতেকে,—

"উঠা অসমীয়া চোৱা চকু মেলি
এলাহ-পাটীতে নেলাগে লাজ?
কঙ্গালি টোপনি ভাঙ্গি উঠি বহা
পেলোৱা পেলোৱা টোকোনা সাজ।
নোহোৱা নিৰ্জীব পাৰিবা উঠিব
কলামলা ইটো টোপনি-জাল;
একেছিপে উঠি ভূমিত ভৰি দি
প্ৰতিজ্ঞা-টঙ্গালি বান্ধা কঁকাল।
হাতত কোৰ লৈ প্ৰথমেই পোতা
এলাহ শতুৰু গাতলৈ যোৱা;
জয়ৰ হুঙ্কাৰে কঁপাই জগৎ
দৰ্পৰ কিৰীট শিৰত লোৱা।
জীৱনৰ আৰ্হি থাপি অসমীয়া
উধাৰা দুখুনী অসম আই,
পূৰ্ব্বৰ কাহিনী সোঁৱৰা মাথোন
অভাৱ তোমাৰ একোৰে নাই॥
উঠা অসমীয়া উঠা এই বাৰ
পিছ পৰি ৰলা নেলাগে লাজ?
জীৱন্তে উছাহে একে উশাহতে
লোৱাহিহে আহি বীৰৰ সাজ"।

* * * *

আহাঁ সকলোৱে কৰো এই পণ,
দেশৰ কল্যাণ কৰিম সাধন;
দেশৰ কাৰণে চকুৰে কান্দিম,
দেশৰ কাৰণে মুখেদি মাতিম,
দেশৰ কাৰণে লেখনী লিখিম,
দেশৰ কাৰণে স্বাৰ্থ তিয়াগিম,
জাতীয় প্ৰেমত সকলো মজিম,
জাতিৰ উন্নতি অৱশ্যে সাধিম;
সাহিত্য সঙ্গীত, জ্ঞান, বিজ্ঞানত,
কৃষি, শিল্প আৰু বেহা-বেপাৰত,
জনমভূমিৰ মুখ উজলাম,
ৰাখিম ধৰাত অসমীয়া নাম;
আই অসমৰ গৌৰৱ বঢ়াম,
'জয় আই অসম' সকলোৱে গাম।

আহক, আমি সকলোরে মিলি, কণ্ঠত কণ্ঠ মিলাই,
গগন-পৱন মুখৰিত কৰি, সমস্বৰে এবাৰ গাওঁ,—

"জয় অসমৰ জয়,"
"জয় অসমীয়া জাতিৰ জয়,"
জয় অসমীয়া ভাষাৰ জয়"।

মধুময় লোক বতাহ, মধুময় নদীৰ প্ৰাণ,
মধুৰ শ্যামল বনৌষধি, মধু হোক উষা দিনে-ৰাতি

মধু পৃথিবীৰ ধুলি-কণ মধু পিতৃ-মাতৃ গুৰুজন,
মধুময় ছালোক-ভূলোক ; মধুময় সকলোটি হোক।
মধুময় বন বনস্পতি, মধুময় ৰবিৰ জ্যেতি,
দিশে দিশে মধুৰ বৰ্ষণ, মধু হোক সকলোৰে মন।

—ঋগ্বেদ, ১ম অষ্টক, ষষ্ঠ অধ্যায়।

ওঁ শান্তিঃ শান্তিঃ শান্তিঃ ওঁ

ভোজনৰ ফেশ্যন

—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

১৩৪১ সনৰ বহাগ মাহৰ 'প্ৰবাসী'ত 'পঞ্চশস্য' অধ্যায়ত 'ভোজনেৰ ফেশ্যন' নামৰ প্ৰবন্ধত অৰ্দ্ধশাতীত অৱস্থাত ভোজন কৰা প্ৰথাৰ এটি চিত্ৰৰে সৈতে সৰু প্ৰবন্ধ এটি প্ৰকাশিত হৈছিল। এই ছবিখন গ্ৰীচ আৰু ৰোমদেশৰ প্ৰাচীন পাত্ৰৰ গাত অঙ্কিত চিত্ৰৰ পৰা উদ্ধৃত বুলি প্ৰকাশ। উক্ত দেশ বিলাকত এই ভাবে শুই থাকি খোৱাৰ নিয়ম প্ৰাচ্য দেশৰ পৰা গ্ৰহণ কৰিছে বুলি তেওঁলোকে উল্লেখ কৰে বোলে। কিন্তু সি কোন দেশৰ পৰা গৃহীত তাক লেখকৰ অজ্ঞাত বুলি লিখিছে।

প্ৰাচ্য দেশ বুলি কলে গোটেই এচিয়া মহাদেশ খনকে বুজায়। ওচেনীয়া মহাদেশ খনকো এই প্ৰাচ্য বা এচিয়া মহাদেশৰ ভিতৰত বুলি সাধাৰণে এতিয়াও ধৰে। কোনো কোনোবাই ইয়াৰ ব্যাপকতা বুদ্ধি কৰি আফ্ৰিকাৰ কিছুমান অংশ আৰু য়ুৰোপৰ ভিতৰৰ দুবৰ্ষক ৰাজ্য খনকো যোগ কৰি দিয়ে। এনে অৱস্থাত এই ব্যাপক কথাৰ দ্বাৰা কোন দেশক উল্লেখ কৰা হৈছে তাক বুজা টান। আৰু পাৰশ্য, চীন, জাপান প্ৰভৃতি দেশ বিলাকত এইদৰে ভোজনৰ প্ৰথা আছে নে নাইবা আছিল নে নাই তাৰ প্ৰত্নতাত্ত্বিক আৰু ঐতিহাসিক সকলে জানিব পাৰে। কিন্তু ভাৰতবৰ্ষৰ অভিজাত বংশৰ ভিতৰত এই প্ৰথা যে বিশেষ ভাবে প্ৰচলিত আছিল আৰু ঠায়ে ঠায়ে এতিয়াও আছে তাৰ নিদৰ্শন দিব পাৰি।

এই দেশৰ সকল ৰজা মহাৰাজাই এই ভাবে খাইছিল নে নাই তাক জানিবৰ সুবিধা নহলেও প্ৰাচীন কামৰূপ ৰাজ্যৰ কিয়দংশৰ ৰজা বৰ্ত্তমানে বঙ্গদেশৰ ভিতৰত কুচবিহাৰ ৰাজ্যৰ যি কোচবিহাৰ তাতেই এই ভাৱে অৰ্দ্ধশাতীত অৱস্থাত ভোজনৰ ব্যৱস্থা এতিয়ালৈকে বিদ্যমান আছে। দেশীয় প্ৰথামতে ভোজনৰ সময়ত বিস্তৃত মূল্যবান আসনত তাকিয়া অৰ্থাৎ, ডাঙৰ গাক তিনিফালে দি তাৰ ওপৰত মহাৰাজাই হেলান দি অৰ্দ্ধশাতীত অৱস্থাত বা কিলাকিনি

ওপৰত ভৰ দি নাইবা আনভাবে শুই সৌ হাতেৰে খায়।

দেশীয় ৰাজ্যবৰ্গৰ ভিতৰত এনে ধৰণৰ নানা প্ৰথা প্ৰচলিত আছে যি সকল প্ৰথা য়ুৰোপীয় আচাৰ ব্যৱহাৰ আদৰ কায়দা অবলম্বন বা অনুকৰণৰ ফলত বহুত পৰিমাণে কমি গলেও কৌলিক প্ৰথা হিচাবে এতিয়াও অধিকাংশেই পালিব ধৰিছে।

অকল ৰজা মহাৰজা কিয় বহুত জমিদাৰৰ ভিতৰতো নানা বিধৰ প্ৰথা আজিলৈকে চলি আছে যি সকল সৰ্ব্ব সাধাৰণৰ অজ্ঞাত। সি ভাল নে বেয়া তাৰ বিচাৰৰ ঠাই ই নহয়। কিন্তু কি নাটক কি নভেল কি চলচ্চিত্ৰ ক'ত্ৰ সকলো ক্ষেত্ৰতে জমিদাৰ বা ৰজা সকলৰ চৰিত্ৰ যিমান দূৰ সম্ভৱ বিকৃত ভাবে বৰ্ণনা কৰাৰ লগে লগে তেওঁলোকৰ আচাৰ ব্যৱহাৰ আদি আৰু পাৰিবাৰিক চাল চলনৰ চিত্ৰ প্ৰভৃতি চাই সাহিত্য সম্ৰাট বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় ৰায় বাহাদুৰ আৰু কেইজন মান খ্যাতনামা লিখকৰ বাজে সকলোৰে সাধাৰণ গৃহস্থৰ নিচিনাকৈ অঙ্কিত কৰিছে। ইয়াৰ প্ৰধান কাৰণ প্ৰায় অধিকাংশ স্থলত লিখক সকল মধ্যবিত্ত ভদ্ৰলোক। ৰাজৰ কাণ্ড কাৰখানা আদি দেখিবৰ সুবিধা হলেও ঘৰৰ ভিতৰত অৰ্থাৎ অন্দৰ মহলৰ কায়দা কানুন বহুতেৰেই অজ্ঞাত, গতিকেই এনে হব ধৰিছে। ৰাজত যি কেইজনৰ লগত সাধাৰণ মিলা প্ৰীতি হবৰ সুবিধা হৈছে তাৰ ভিতৰত বেছিৰ ভাগেই হ'ল চৰিত্ৰ বিহীন নাইবা উদাৰ। এই সকলৰ ওপৰত বঙ্গদেশৰ প্ৰধান দুখ— বুৰঞ্জীৰ অভাৱ! বৰ্ত্তমানে পাৰিবাৰিক বুৰঞ্জীৰ বাবে বহুতক যত্নবান দেখা যায় অৱশ্যে; কিন্তু তাত কল্পনাৰ আশ্ৰয় লোৱা হব ধৰিছে সংহ। গতিকে সিবিলাকক বুৰঞ্জী বা ইতিহাস নুবুলি উপন্যাস হে কোৱা উচিত।

সি যি নহওক লিখক সকলে কোনো বিষয় লিখিবৰ আগতে যদি বিষয়টোক অলপ জানি লৈ লিখিব পাৰে তেনেহলে ভবিষ্যতত চলচ্চিত্ৰ নাইবা নাটক আদিত দেশীয় আদৰ কায়দা দেখাবৰ পক্ষে বিশেষ সুবিধা হব।

সামৰণিত ইয়াকে কব খোজো যে যেতিয়া কোনো এটা জাতি আন এটা জাতিক শ্ৰেষ্ঠ বুলি মানে তেতিয়াই সেই শ্ৰেষ্ঠ জাতিৰ আদৰ কায়দাৰ অনুকৰণ চলিব ধৰে। গ্ৰীচ, ৰোম আদি যি সকল দেশ পাশ্চাত্য দেশৰ শিক্ষা গুৰু আছিল সেই সেই সকল প্ৰাচ্যৰ অনুকৰণ কৰি ধন্য হৈছিল। কিন্তু কালৰ মাহাত্ম্যত সি উলট গৈছে। এতিয়া প্ৰাচ্যই অনুকৰণ কৰিছে পাশ্চাত্যক। তাত অন্যায় একো নাই। অন্যায় অকল এক জাপানৰ বাদে অধিকাংশৰে অনুকৰণ নিতান্ত সিহঁতৰ বাহ্যিক হাব-ভাবৰ।



কলিকতাত মাঘ বিহু



বাওফালৰ গৰা—
(১) শ্ৰীমতী ৰেবতী বড়া
(২) „ পদ্মিনী বকৰা
(৩) শ্ৰীমান বিশ্বনাথ বড়া
(৪) „ গোলক নাথ বড়া
লৰাছোৱালীৰ দৌৰত বটা পোৱা প্ৰতিযোগীসকল



অসমৰ আদৰ্শনীয়া আই শ্ৰীযুতা নাৰায়ণী সন্দিকৈয়ে বিহু উৎসবত বটা বিলাইছে।



বিহু ভোজ

৺ভগৱতী প্ৰসাদ

—শ্ৰীযুত বজ্ৰকান্ত বৰ কাকতী

নীৰৱে ধৰাত থাকি
নীৰৱে লভিলোঁ বন্ধু
আজি হায় অকস্মাৎ
সলিল সমাধি,
সেই হে হৃদয়-সিন্ধু
উথলি উঠিছে অহ!
ভু—ভ বৰে শান্তনাৰ
নেপাই অৱধি।

* * * *

সবি পৰে সবা ফুল,
খহি পৰে গছ পাত
শুকাই আজুৰি হই
ধৰাৰ সন্তাৰ,
জীৱনৰ বিধানত
কৰে প্ৰাণে বিসৰ্জ্জন
মৃত্যু ৰূপে বাৰ্দ্ধক্যৰ
শুষ্ক পুষ্পহাৰ।
বসন্ত হিল্লোল আহি
বিহ্বল কৰোঁতে কিন্তু
যৌৱনৰ মাধুৰীবে
দাম্পত্য জীৱন,
আৰ লৰা মৰণৰ ;—
পলাশ কাঞ্চন ফুলি
দিওঁতেই প্ৰকৃতিয়ে
ৰক্তিম চুম্বন।

* * * *

আৰ লৰা! মোৰা নাই
অকণেই জীৱনৰ
সঞ্জিনী লগতে আহা!
পুত্ৰ প্ৰাণ প্ৰিয়,
মোৰা বন্ধু লোৰা বাস
নাই যঁত মৰতৰ
মাটি পানী বিষয়তা,
আছে সদা-শিৱ।

* * * *

অবাধ আত্মাৰ গতি
অগাধ হিয়াৰ প্ৰীতি
বিৰাজিছে চৰাচৰ
অসীম মুকুতি,
মন্ত্ৰযোগ অবিহনে
চিত্তযোগ গঠনৰ
আছে যঁত জলে স্থলে
অপূৰ্ব্ব পদ্ধতি।

* * * *

মাত্ৰ দুখ ৰ'ল হায়
তোমাৰ প্ৰাণৰ বীণ
সাহিত্যৰ কুঞ্জবন
গুঞ্জৰণ কৰি,—
নেপালোঁ শুনিব বজা
শুনিছিলো বিবা দৰে
আলাপতে বহু দিন
প্ৰাণ মন ভৰি।

মহিলা জগত



শিরপুর বোটানিকেল উদ্যানত পতা মাঘ বিহু উৎসরত কলিকতা প্রবাসী মহিলাসকলর দৌর প্রতিযোগিতা।

৫২৭৫/অ:

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

১৪, জগন্নাথ দত্ত লেন, কলিকতা, লক্ষ্মীবিলাস প্রেচ লিঃত ডাঃ শ্রীদীন নাথ শর্ম্মাব দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

৫২৭৫/অ:
১১. ৫. ৯৯

আৰাহন



গৰখীয়া

শিল্পী—শ্রীযুত যুগল কুমাৰ দাস।

জুবেল আৰ্ট ইণ্ডিয়া প্রেছ, কলিকতা।

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

৫২৭৬/অ;

ভারতী



৬ষ্ঠ বছর, ৪র্থ সংখ্যা] মাঘ [১৮৫৬ শক

পঞ্চ-প্রদীপ

[নাটর হৈ এগছি।]

—শ্রীযুত ইন্দ্রেশ্বর বরঠাকুর বি-এ, বি-টি

"যত্তন্ময়ান হৃদয়সংবদনক্রমেণ দ্রক্‌চিত্রশক্তিগণভূমি
বিভাগভাগী।
হর্ষোল্লসৎ পরিকারজুষঃ করোতি বন্দেতমাং তমহমিন্দু
কলাবতংসম্॥"

কোন অনাদিত নর-নাটর আদি-নট সুকোমল শিশু মুরিয়ে অগ্নিগড়র মাজেদি জিলিকি জিলিকি পাতনি জুরিছিল! কোন মাহেন্দ্র ক্ষণত নিচেই কেচুরার ভাওলৈ সিবিলাকে জয়জয়ন্তে হাঁফোলি হাঁফোলি আবেগর বুরুনি তুলিছিল! অন্তরত অনুকরণর কি অনন্ত পিয়াহ! চকুর আগত যিহকে দেখে তাকে যেন সাবটি বুকুলৈ লৈ আপোন করিলব! মানর শিশুর এই যে আদি লীলা, এই যে নিত্যলীলা— ইয়ে অব্যক্ত নাটকর আদিম অরম্ভা, ইয়ে তার ফুলে নে ফুহুলে কৈ পাছলৈ ফুলি পরা নট্যলীলার প্রথম পরিচয়।

সেই বিনন্দীয়া বুরুনির থুহুক্ থানাক্ চকাছন্দা ভাগি ফরকাল হলত কোন পুরার কাচি ৰ'দত সিবিলাকে জীৱন ধারণর মৌ চাকি চাকি পথিলার দরে জাকি মারি ফুলে ফুলে উরি ফুরিছিল। এদিনা চাগৈ ফাগুনী বতাহত উরি উরি তারে এজনে ফুলাম কুঞর মাজত কি যেন কি শুনিলে—'কু উ, কু—উ'! হিয়াখনি জিকারি উঠিল! চকু কাণ, মন প্রাণ, মৌমাতে যেন টানি লৈ গল। আবেগত সুরে সুরে শিশুর প্রাণে চিকরি উঠিল,—'কু উ, কু-উ!' এবার মাতি হেপাহ নপলাল। তলৈ আকৌ কি

চাই কি দেখিলে,—কাম বরণীয়া বননিব কোমল কোলাত হবিণ শিশুব কেনে মনোবম লাহ লোটন,—ডিঙি ডাঙি ডাঙি চল্ চল্ চকুবে কেনেকৈ নাচিছে! অকণমানি হিয়াখনিত আনন্দই আক ধবে ক'ত? লগব লগবীক বাতবি দি আপোন বিলাবলৈ দেহিটি উকলীকৃত হৈ নবি গল। যি শুনিছিল, যি দেখিছিল, যি ভাবিছিল তাবে অবিকল আভাস দিবলৈ বুলি কথাব ছন্দেবে, দেহব ভঙ্গীবে, কণ্ঠব স্বৰেবে, উপমাব প্রতিকৃতিবে আপোন প্রকাশব চেষ্টা কবিবলৈ ধবিলে। লগব লগবীয়ে কুতুহল হৈ চকুবে কাণেবে পান কবি কবি পিয়াহ পলাবলৈ লাগিল হয়। কিন্তু সেই পিয়াহব শান্তি ক'ত! আকুলতা জাগি উঠিল। আদি শিশুব এই যে মনোমোহা হিয়াব জোকাব ইয়াব আদান প্রদানব এই আকুলতাতে নাটকব লগে লগে সকলো ললিত কলাব সুকোমল পাহি এখিলি দুখিলিকৈ মুকলি হ'ল।

চাৰ্ত্ততে চাৰ্ত্ততে শিশুব আদি সমাজ যৌৱনব অনুবাগেবে বঞ্জিত হ'ল। দিনে দিনে লহপহকৈ বাঢ়ি বাঢ়ি হৃদয়-বীণাব গুপ্ত তাঁব আঠ মুখে আঠ ডালি হৈ জিলিকি পবিল। এই আঠ মুখবৈ বসব জুতি বিচাবি, আঠডালি তাঁববৈ সহানুভূতিব ঝঙ্কাব বিচাবি আকৌ সেই তীব্র আকুলতা জাগি উঠিল! শান্তি নাই,—তৃপ্তি. তৃপ্তি লাগে। দৈনন্দিন জীৱনব জীৱব সাধাৰণ ভোগৰ তৃপ্তিয়ে আক নোজোবা হল। বহির্জগতব সৌন্দর্য্যত যৌৱনব পিয়াহ নপলাল। বসুমতীব সুষমাবাশিব স্মৃতি সমল বুকুত লৈ যুবক অন্তৰ বাজাবৈ সোমাই গ'ল। তাত অকণ সাগবব হেজাব সৌন্দর্য্যব কি উছলি মুছলি, কি অফুবীন তিববিবনি!—ধাবণা নহল! অকণব ৰূপ বিচাবি, অমিলব মাজত মিল বিচাবি বহুব ভিতবত এক বিচাবি তেওঁব অন্তববো অন্তবে কান্দি উঠিল,—'প্রতিমা, প্রতিমা!' সৃষ্টিব অনুকবণ কবিবলৈ লাগি গল। সকলো কলাব এতিল এতিলেবে বিধতাব দবে তিলোত্তমা সাজিলে, সিও যেন নহল—নহল। কোনোবা জনমব কিবা এক বিণিকা সন্ধান, কিবা এক অস্ফুট স্মৃতিব আকুল আহ্বানত সুন্দববো শেষ সুন্দব বিচাবি লবিব লাগিছে—এক মবীচিকাব পবা অন্য মবীচিকালৈ। মাজে মাজে থমকিছে, মাজে মাজে নিধাস্তুবে হবিণীব দবে নবি গৈছে। এই গতিব বিবাম নাই। এই আকুলতাব এই গতিয়েই নাটকব প্রগতি।

সি কিমান দিনব কথা কোনে কব? ভূতলতন্ত্ৰবিদে কয় পৃথিবী সৃষ্টি হোৱা আজি এশ কোটী বছব হল, ভূতত্ত্ববিদে কয় দহ কোটি বছব, পদার্থবিজ্ঞাবিদে কয়—এই দুইবো মাজতে, খনিজবিজ্ঞানবিদে সীহব গঠন প্রণালীটো আঙুলিয়াই কয়—অতি কমেও তিনশ কোটি বছবব কম নহয়। তাবে বা আক কত কালব পাছত মানবব সৃষ্টি, কোনে জানে? এই গল বিজ্ঞানব বাতবি। দর্শনে কয় সৃষ্টি এক আকস্মিক ঘটনা নহয় যে তাব কাল নিৰ্দ্ধাৰণ হব পাবিব :—সি অনাদি। এই পটিয়ে চাই পটিয়াকে সৃষ্টি বহস্যবে জড়িত এই নাট্যলীলা, সিও যে অনাদি। নিত্য সৃষ্টি লীলাব দবে নিত্য নাট্য লীলা আজিও শিশু সমাজব মাজেবি চলিবই লাগিছে।

কিমান যুগ চাগৈ এই দবে চলি যান কাল পাছ অনুসবি ক্রমবিকাশ হৈ হৈ নাট্যব আদি লীলাই প্রাণস্পন্দনব তাল দিবলৈ ধাতু বা জন্তুব ছাল বিচাবি পাইছিল! আক কতকালব মুবত চাগৈ অতি প্রাথমিক ধবণব নৃত্যগীতেবে অতীতব বা সমকালিক কোনো হিয়াত লাগি ঘোৱা পাতল বা গভীব ঘটনাব অনুকৃতিবে এই লীলাই আনন্দে উৎসবে জনসাধাবণব আনন্দ বৰ্দ্ধন কবিছিল, তাব বাতবি আজি কোনে দিব? তেহেঁলে যেই হওক এই খিনিলৈকে নাট্যলীলা সভ্য অসভ্য নিৰ্ব্বিশেষে মানবজাতিব সাধাবণ সম্পত্তি হৈ থাকিল।

সাধাবণ সীমা অতিক্রম কবি কেনেকৈ এই নাট্যলীলাই দৃশ্য কাব্যব ৰূপ ললে তাব পম বিচাবি জগত সাহিত্যব ওবিগছ পাবলৈ লাগিব। ভাষা আক ভাবব ফালে পবা, ইতিহাস আক প্রবাদব ফালব পবা, আন কি বিশ্বমানবব চিত্তবিকাশব যি স্বাভাবিক গতি সেই গতিব ফালব পবাও মেক্সমূলাব প্রমুখ্যে পাশ্চাত্যবিজ্ঞান সকলে জগত জুবি এক মুখে ঘোষণা কবিছে—বিশ্ব সাহিত্যব আদি চেষ্টা—ঋগ্বেদ।

এই ঋগ্বেদব প্রথম মণ্ডলব ১৫৬ সূক্তত আকাশত চিচবণ কবি ফুবোতে মৰুদ্গণ আক ইন্দ্ৰ দেৱতাই নিজ নিজ বিশেষত্বব কথা কোৱা শুনি অগস্ত্য ঋষিয়ে ইন্দ্ৰ দেৱতালৈ বুলি নিৰুপণ কবা হবি মৰুদ্গণক দান কবিব গোৱাত যি কথোপকথন চলিছিল—সেয়ে এই পৃথিবীব দৃশ্য কাব্যব মূল। যজ্ঞব পাতনিত দেৱতাসকলক মান মবোতে ঋষি সকলে এই কথোপকথনবে আবৃত্তি কবিছিল। ঠাই বিশেষে ইন্দ্ৰ, অগস্ত্য আক মৰুদ্গণব ভূমিকাত কোনো কোনো ঋষিয়ে অভিনয়ো কবিছিল। ইয়াত বাজে আক কেবাটি সূক্তলৈও দৃশ্য কাব্যব এনে ধবণব চিন আজিও জল জলকৈ জিলিকি আছে।

আদি পুথি ঋগ্বেদত দৃশ্যকাব্যব মূল গোৱা গল হয় কিন্তু কাল নিৰ্দ্ধাৰণব সমস্যা আজিও যে অন্ধব হস্তীদর্শন'ব দবেই হৈ থাকিল। বেদত ব্ৰহ্মজ্ঞানব ক্রমবিকাশ স্বীকাব কবিও, সেই ছন্দময় জ্ঞানব অনাদিত্ব স্বীকাব কবিবলৈ টান পাই মেক্সমূলাব প্রমুখ্যে পাশ্চাত্য বিদ্বান সকলে আন্দাজ কবে বেদব ছন্দ যুগব বয়স আজি প্রায় তিনি হেজাব বছব। মৃগশিবা নক্ষত্রব গতি গণনা কবি লোকমান্য তিলকে কয় বেদব বয়স অন্ততঃ চাবে ছহেজাব বছবব কম নহয়। ভূতত্ত্বব নানান সিদ্ধান্তত ভব দি ওপবব সকলো যুক্তি নিবাশ কবি অধ্যাপক অবিনাশ দত্তই "ঋগ্বেদিক ইণ্ডিয়া"ত কৈছে—বেদব ভালেটি সূক্তব বয়স অতি কমেও তিনি চাবি লক্ষ বছবব কম হব নোৱাবে। ভাবতব ঋষি মুনিয়ে, ভাবতব ন্যায়, সাংখ্য, মীমাংসা দর্শনে, ভাবতব বেদান্তই একমুখে স্বীকাব কবে বেদ অনাদি। বেদময় জ্ঞানব আদি কত? তেহেঁলে যেই হওক, এইটো কোনেও অস্বীকাব কবিব নোৱাবে ইতিহাসে মননমেলি নোপোৱা কোনোবা অতীজতে যে আৰ্য্যাবৰ্ত্তত দৃশ্যকাব্যব আবম্ভ হৈছিল।

ঋগ্বেদাদিব পাছতে বৈদিক যুগব বাজসনেয় সংহিতা আক শতপথ ব্ৰাহ্মণ আদি কেবাখন গ্ৰন্থতো নাট্যলীলাব কথা পোৱা যায়। শেষব খনিত শিলালি নামব নটসূত্ৰকাব এজনব নামবো উল্লেখ আছে। এয়ে সেই শিলালি যাব নামে নাম্নে ভাবতব নটব আক এটি নাম হল—শৈলালী।

বেদব সবল সাহিত্য কালব লগে লগে জটিল হৈ পবিল। সমাজ শাসনব নিমিত্তে মনুব প্রয়োজন হোৱাদি এই উদ্ধাম উন্মুক্ত নাট্যলীলাতো শাসনব প্রয়োজন হ'ল। ঋগ্বেদব পবা পাঠ্য, সামবেদব পবা গীত, যজুৰ্ব্বেদব পবা অভিনয় আক অথর্ব্ববেদ পবা বঙ্গ চুহি চুহি ছয়ত্রিশ হেজাব শ্লোকেবে দেবলোকব আদি কবিয়ে এখন অপূর্ব্ব নাট্যবেদব প্রণয়ন কবিলে। কালত তাবে অতি লাগতিয়াল বাব হেজাব শ্লোকেবে 'ষাদশ সহস্রী' নামব এখনি সংক্ষিপ্ত তাঙ্গবণবো প্রয়োজন হৈ পবিল। সেই কালত স্মৃতিব দবে এই খনিকো মুখে মুখে বাখিব লগা হোৱাত যি বেমেজালি ঘটিছিল তাব হাত সাবিবব মনেবে তাতৈকৈ আক চমু কবি ছহেজাব শ্লোকেবে নাট্যাচার্য্য ভবতমুনিয়ে এখনি 'ষট সহস্রী' বচনা কবিলে। এই খনিয়েই ভাবতব ভাবতীয় নাট্য শাস্ত্র।

এই নাট্যশাস্ত্র খনিব প্রাচীনত্বলৈ চালে, বঙ্গ বিজয়লৈ চালে একাদিক সহস্র বছবব সঞ্চিত সাহিত্য-সম্পদ গণত লৈ এই সপাং জোবা আদান প্রদানব হেজাব সুবিধাব মাজত আজিও বিংশ শতাব্দীয়ে ভক্তি আক শ্ৰদ্ধাবে মুব দোঁয়াব লাগিব। জড়ত্বশতব সৌন্দর্য্য আক আধ্যাত্মিকতাব গভীব আত্মতৃপ্তিব কি মনোমোহা সামঞ্জস্য, স্থায়ীব কোলাত অস্থায়ী ভাবব কি আচবিত পর্য্যবেক্ষণ, অভিনয় অভিব্যক্তি কি বিশ্বজনিন ভাবময়ী ভঙ্গিমাব প্রযোজনা! ইয়াত নাট্যব নাই কি? দর্শন বুলিলে ই দর্শন, ইতিহাস বুলিলে ই ইতিহাস, পানিনী বুলিলে ই পানিনী!

ভবত মুনি বামায়ণব যুগব। আদি কবি বাল্মিকীয়ে এই মুনিব ওচবতে নাট্যব বিষয়ে উপদেশ লোৱা কথা নাট্যশাস্ত্রব 'বেনাবসী সংস্কবণ'ব শেষ অধ্যায়ব তৃতীয় শ্লোকতে আছে। ভাবতব বিশ্বাস বামায়ণ ত্রেতাযুগব, প্রায় আঠ ন লক্ষ বছবব আগব কথা। ভাবতীয় গণ্ডিকাত ত্রেতাব পাছত দ্বাপবব বিষিনি বছব হৈ ৰোৱাব কথা আছে তাব লেখ দিবলৈ গলে যুবোপব বিদ্বান সকলে ভাবিবলৈ টান পাব। বিশেষকৈ খৃষ্ট ওপজাব চাবি হেজাব চাবি বছবব আগৈয়ে এই পৃথিবীব সৃষ্টি হৈছিল বুলি যি সকলব ধৰ্ম্ম বিশ্বাস আক যি সকলে

হাতত মুঠে খৃষ্ট পূৰ্ব্ব চাৰি হেজাৰ লৈ ভাৰত সাহিত্যৰ অতল জলধি জুখিবলৈ আহে সেই সকলোৱে একে মুখে অসম্ভৱ বুলিব। জাষ্টিচ উডৰফে নাম দিয়া আমাৰে 'ইংলিচমেনৰ মানস পুত্ৰ' সকলেও সেই লেখ ভাঙুৰীৰ বম বুলি উৰুৱাই দিব। ভাৰতৰ এই আউলীয়া লেখ লেখত নলৈ য়ুৰোপৰ ফালৰ পৰা স্বাধীন চিন্তাৰ যি কাল নিৰ্দ্ধাৰণৰ সুতি বব লাগিছে সি ঐতিহাসিক হিচাপে প্ৰশংসনীয় হব পাৰে। সেই আমি পাহৰি যোৱা অনুচিত আমাৰ যুক্তি যিমানেই কি সাৰুৱা নহওক সি আচল কালক দীঘল চুটি কৰিব নোৱাৰে আৰু আচল কালেৰে মিলাই সেই যুক্তিৰ যথাৰ্থ প্ৰতিপন্ন কৰিবৰ উপায় যেতিয়া নাই সি চিৰ দিন আনুমানিক আন্দাজ হৈয়ে থাকিব লাগিব। এই সিদিনাৰ কথা এটি আও পুৰণি বুলি কোনোৱাই যদি ডিৰাইকৈ কয়, আমাৰ হাঁহি উঠে। সেই দৰে হেজাৰ বছৰীয়া সাধনাৰ হাতী এটি আনি দুই চাৰি বছৰীয়া ভুৰুকাত ভৰাবলৈ গলেও আমাৰ হাঁহি নুঠি নেথাকে। বৰং শেষৰ ক্ষেত্ৰত সত্যৰ যি অপলাপ হল সি বঢ়াই কোৱাতকৈ দোষ হিচাবে অধিক গুৰুতৰ! কোন বৈদিক যুগতে চান্দ্ৰমাস আৰু সৌৰ মাসৰ পাৰ্থক্যৰ মিল উলিয়াই ভাৰতৰ যি ঋষি মুনিয়ে জগতক বছৰ গণনা কৰিবলৈ শিকাইছিল সি সকলৰ গণনা অভ্ৰান্ত বুলি বিশ্ব সভাত পেচ কৰিব পৰা শক্তি আমাৰ যেতিয়া এতিয়াও হোৱা নাই, অন্ততঃ তৰ্কৰ খাতিৰত য়ুৰোপীয় সকলে নিৰ্দ্ধাৰিত কৰা কালকে যদি গ্ৰহণ কৰাও যায় তেতিয়াও দেখি আদি কবি বাল্মীকিৰ ৰামায়ণ বেদব্যাসৰ মহা ভাৰততকৈ ভালেমান বছৰৰ আগ। ভাষা, ভাব, সমাজ আৰু ৰচনা পদ্ধতি আদিৰ পৰা মেক্সমুলাৰ মেকডলেণ্ড প্ৰভৃতি বিদ্বান সকলেও এইটি স্বীকাৰ কৰে।

মহাভাৰতৰ কাল ভাৰতৰ মতে দ্বাপৰৰ শেষ হৈ গল কলিৰ আদিত। পঞ্জিকাৰ লেখেৰে খ্ৰীষ্ট পূৰ্ব্ব আঢ়ৈ হেজাৰ বছৰতকৈ কিছু অধিক। তালৈ পিঠি দি খৃষ্ট পূৰ্ব্ব পঞ্চদশ শতিকাৰ পৰা খৃষ্টাব্দৰ চতুৰ্থ শতিকালৈকে বহুতে বহু মত প্ৰচাৰ কৰে। বাৰনেট চাহাবে হবন স্ৰেডাৰ আৰু হপকিন্সৰ গাত গয়না লৈ কয় মহাভাৰত খৃষ্ট পূৰ্ব্ব সপ্তম শতাব্দীতে আৰম্ভ হৈ ক্ৰমে পোহ পাই খৃষ্টাব্দৰ চতুৰ্থ শতিকাত বৰ্ত্তমান আকাৰ প্ৰাপ্ত হৈছেহি। এই যুক্তিবিলাকৰ ভালেখিনি 'ৱেবাৰ চাহাবৰ যুক্তিৰ দৰে—মেগাস্থিনিচে ইমান এখন ডাঙৰ কাব্যৰ উল্লেখ কৰি যোৱা নাই, ডিয়ন ক্ৰিচচ-টিউমে হে কৰিছে, গতিকে এই দুই জনৰ মাজতে অৰ্থাৎ খৃষ্টপূৰ্ব্ব চতুৰ্থ আৰু দ্বিতীয় শতিকাৰ ভিতৰতে মহাভাৰতৰ ৰচনা হৈছিল। এনে ধৰণৰ যুক্তিলৈ কাণ কৰিলে এদিন আমি ইয়াকো মানিব লাগিব—আজি দহ বছৰ মানৰ আগতে এজন পৰিব্ৰাজকে শ্বিলঙৰ চুকে কাণে থকা ভালে খিনি লিখিলে অথচ 'বিচপ ফল'ৰ নামকে নললে, গতিকে 'বিচপ ফল' হোৱা আজি সাত কি আঠ বছৰ হৈছে।

খৃষ্টপূৰ্ব্ব পঞ্চদশ শতিকা আৰু খৃষ্টাব্দৰ চতুৰ্থ শতিকা এই দুই মূৰৰ এমূৰো যেতিয়া নিৰাপদ নহয়, মেকডনাল্ড আদি জনদিয়েক য়ুৰোপীয় বিদ্বানৰ কাষ চাপি যদি মাজ মূৰতে মহাভাৰত খৃষ্টপূৰ্ব্ব ষষ্ঠ শতিকাৰ ইফাললৈ আহিব নোৱাৰে বুলি ধৰা যায় তেন্তে অন্ততঃ অতিৰঞ্জিতৰ দোষে কেনিও কাকো স্পৰ্শ কৰাৰ আশঙ্কা নাথাকে। এই হিচাপে সামাজিক পৰিবৰ্ত্তনাদিলৈ চাই ৰামায়ণক আৰু দুশ বছৰ আগুৱাই নি খৃষ্টপূৰ্ব্ব আঁঠশ বছৰৰ পৰা ছশ বছৰলৈ মহাকাব্যৰ যুগ বুলি যদি ধৰা যায় তেনে প্ৰায় সকলো বিলাক য়ুৰোপীয় পণ্ডিতে মানি লবলৈ একো টান নেপাব।

নাট্য শাস্ত্ৰৰ ভিতৰত কৰবাত কেনেবাকৈ আশঙ্কাৰ স্থান থাকিলেও লগে লগে এনে প্ৰমাণো আছে যি কাৰণে এই পুথিখনি কোনো মতেই খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাৰ ইফালে আহিব নোৱাৰে। গতিকে আৰু তিনিশ বছৰ আগুৱাই নি ৰামায়ণত নাট্য শাস্ত্ৰৰ প্ৰভাৱ আৰু নাট্যশাস্ত্ৰত বাল্মীকিৰ উল্লেখ দেখি দুয়োখনি পুথি সমসাময়িক বুলিলে কোনো প্ৰকাৰে অযৌক্তিক নহব।

নাট্যশাস্ত্ৰত নাট্যলীলাৰ এই যিটি ইতিহাস আছে তাত ক্ৰমবিকাশৰ ধাৰা দূৰত 'মালিনীৰ ৰেখা' জিলিকা দি অতি সুন্দৰকৈ জিলিকি পৰিছে।—"বেদৰ আবৃত্তি আদি চলি চলি সত্য যুগ গ'ল। বৈবস্বত মনুৰ ত্ৰেতাযুগৰ প্ৰবৰ্ত্তন হল। দেৱতা, দানব, গন্ধৰ্ব্ব যক্ষ ৰক্ষ, মহোৰগ প্ৰভৃতিৰে জম্বুদ্বীপ সমাক্ৰান্ত হৈ পৰিল। লাহে লাহে গ্ৰাম্যধৰ্ম্মত প্ৰবৃত্ত হৈ লোকসকল ঈৰ্ষাক্ৰোধান্বিত প্ৰমত্ত হোৱাত সিবিলাকৰ মাজত বেদব্যৱহাৰ 'সংশ্ৰাব্য' হব নোৱাৰা হ'ল। তেতিয়া মহেন্দ্ৰ প্ৰমুখ্যে দেৱতা সকলে সৃষ্টিকৰ্ত্তাৰ কাষলৈ গৈ গোহাৰি জনালে,—আমাক এনে এটি ধেমালি দিয়ক যাক চকু আৰু কাণ দুয়োৰে উপভোগ কৰিব পাৰি, যাৰ মাজেদি ধৰ্ম্ম, অৰ্থ আৰু যশস্যা লাভ হব পাৰে, আৰু যাক দেখি শুনি লোক সকলে সকলো শাস্ত্ৰত উপদেশ আৰু সকলো শিল্পৰ আভাস সহজে পাব পাৰে। সিবিলাকৰ প্ৰতি প্ৰসন্ন হৈ সৃষ্টি কৰ্ত্তাই চাৰি বেদৰ পৰা পাঠ্যাদি আনি এক অপূৰ্ব্ব নাট্যবেদ ৰচনা কৰিলে। নাট্য বেদৰ বিধান অনুসাৰে নাট্যলীলা চলিবলৈ ধৰিল। কালৰ লগে লগে বহুকালৰ পাছত নাট্যবেদৰ গ্ৰহণ ধাৰণ আৰু প্ৰয়োগত অতৰ্কিতে বহু বেদবিৰুদ্ধে ব্যভিচাৰ সোমাই পৰিল। গতিকে বেদবিশাৰদ মুনি এই কামৰ কৰ্ণধাৰ হব লগীয়া হল। ভৰত মুনিয়ে সৃষ্টিকৰ্ত্তাৰ আহ্বান শুনি শাণ্ডিল্য প্ৰমুখ্যে শত পুত্ৰক নাট্যবেদৰ প্ৰয়োগ শিকাই বুজাই যথাযথ প্ৰচাৰ কৰিবৰ অৰ্থে সিবিলাকক ঠায়ে ঠায়ে পাতি থলে। নীলকণ্ঠৰ নৃত্যৰ পৰা কৈশিকী বৃত্তি আদি আনি নাট্যৰ ৰূপ চৰালে যদিও, তিৰোতাৰ শৃঙ্গাৰাদি ৰসৰ অভিনয়ত ভাব ফুটাব নোৱাৰি বৰ বিমোৰত পৰিল। তাকে দেখি সৃষ্টিকৰ্ত্তাই মঞ্জুকেশী আদি অপ্সৰা সৃজন কৰি নাৰদ প্ৰভৃতি গন্ধৰ্ব্বক নাট্য লীলাত নিয়োগ কৰিলে। এই দৰে সকলো আয়োজন হোৱাৰ পাছত সিবিলাকে অভিনয় পাতিব খোজাত সৃষ্টিকৰ্ত্তাই নিজে আশীৰ্ব্বচন এটিৰে নান্দী ৰচনা কৰি দি মহেন্দ্ৰৰ 'ধ্বজমহ' উৎসৱত আৰম্ভ কৰিবলৈ উপদেশ দিলে। অভিনয় হল—দেৱতাই দৈত্যক হৰুওৱাৰ 'অনুকৃতি'। দেৱতাসকলে প্ৰয়োগত মুগ্ধ হৈ নিজ নিজ কমণ্ডলু ভৃঙ্গাৰ আদি উপকৰণ কৰিবলৈ দান কৰিছিল। ইফালে দৈত্য সমাজত তোল্‌পাৰ লাগিল। এনেয়ে পৰাজয়ত ভগ্নহৃদয়, তাতে তাৰ অনুকৃতি—স্বভাৱতে দৈত্যবিলাকৰ সহ্য নহল। বিঘ্ন উপজাবলৈ দেখাদেখিকৈ লাগি গ'ল। সূত্ৰধৰ আদিক কুক্ৰিয়াৰে কৰমি অজ্ঞান কৰি পেলালে। ইন্দ্ৰই দেখি লাহেকৈ ধ্বজ ডালি তুলি লৈ দৈত্যবিলাকৰ দেহ জৰ্জ্জৰীকৃত কৰিলে। পাছলৈ অভিনয় হলেই সেই ধ্বজ পুতিবলৈ ললে আৰু তাকে দেখি দৈত্যসমাজ ভয়ত কুঁচি মুচি সেইপিনেই টাপ মাৰিবলৈ ধৰিলে। তেতিয়াৰ পৰা সেই ধ্বজৰ নাম হল জৰ্জ্জৰ। ভবিষ্যতে সকলো বিঘ্নৰ হাত সাৰিবলৈ সৃষ্টিকৰ্ত্তাই বিশ্বকৰ্ম্মাৰ হতুৱাই সুন্দৰ নাট্যগৃহ নিৰ্ম্মাণ কৰোৱাই তাৰ ঠায়ে ঠায়ে দেৱতা পাতি ৰক্ষা কাৰ্য্যত নিযুক্ত কৰোৱালে। কিছুকালৰ পাছত ক্ষুণ্ণ দৈত্যসকলৰ হৃদয় অধিকাৰ কৰিবৰ কাৰণে দেৱতাসকলে সাম উপায়েৰে চেষ্টা কৰিবলৈ মন মেলি সৃষ্টিকৰ্ত্তাৰ ওচৰত আকৌ গোহাৰি জনালে। সৃষ্টিকৰ্ত্তাই দৈত্যসকলক মাতি বৰাই বুজাই কলে,—'তোমালোক আৰু দেৱতা উভয়ে মোৰ সন্তান, অনৰ্থক দেৱতাৰ ওপৰত ৰোষ বা বিষাদ নকৰিবা। তেমালোক আৰু দেৱতাৰ শুভাশুভ বিকল্পক এই নাট্যবেদ ময়ে ৰচনা কৰিলোঁ। ই অকল তোমালোকৰে অনুকৃতি নহয়, ত্ৰিভুবনৰ অনুকৃতি—নানাভাৱৰ নানা অৱস্থাৰ লোকচৰিত্ৰৰ অনুকৰণ! ই সমানে দুঃখাৰ্ত্ত, শ্ৰমাৰ্ত্ত, শোকাৰ্ত্ত আৰু তপস্বীৰ শান্তিময় বিশ্ৰামৰ কাৰণ হওক, শ্ৰুতি স্মৃতি সদাচাৰ বিধিৰে কল্পিত হৈ দিনে দিনে নৰলোকৰ বিনোদ উৎপাদন কৰক আৰু সকলো শাস্ত্ৰৰ তত্ত্বেৰে, সকলো শিল্পৰ বিবিধ বেশেৰে বিভূষিত হৈ এই মনোৰম নাট্যলীলা সপ্তদ্বীপৰ অনুকৰণ হওক।" (কোন সোণালী যুগত ভাৰতবাসীয়ে এই বাণী শুনিছিল! যাৰ মুখত এনে সৃষ্টিমঙ্গল মধুময়ী বাণীৰ ঝঙ্কাৰ হৈছিল, সেই জন সঁচাসচিকৈয়ে সৃষ্টিকৰ্ত্তা!)—"দেৱতা দানব মিলি গ'ল। এই মিলনৰ পাছতে ধৰ্ম্মাৰ্থকাম সাধক 'অমৃত মন্থনম্' নামৰ এখনি সমবকাৰ শ্ৰেণীৰ নাটক পূৰ্ব্বৰঙ্গ পূজাদিৰে দেৱলোকৰ নাট্যগৃহত প্ৰযোজিত হল। এইবাৰ অভিনয়ত

দেৱতা অসুৱে নিজ নিজ কৰ্ম্মভাৱে অনুদৰ্শন কৰি পৰম প্ৰীতি লাভ কৰিলে।"

কিছুকালৰ পাছত পুনৰ সৃষ্টিকৰ্ত্তাৰ নিৰ্দ্দেশমতে দেৱাদিদেৱ মহাদেৱৰ প্ৰীতিৰ অৰ্থে ভূতাদিবে সমাকীৰ্ণ হিমালয়ৰ বন্য প্ৰদেশত 'ত্ৰিপুৰদাহ' নামৰ নাটক এখনিৰ অভিনয় হল। অভিনয় দেখি নিজ নিজ কৰ্ম্মভাৱৰ অনুকীৰ্ত্তনত ভূতসকল সন্তুষ্ট হল। ভূতপতি মহাদেৱ প্ৰসন্ন হৈ নানা 'কৰণ' আৰু 'অঙ্গহাৱেৰে' সন্ধ্যাকালত নিজে যি নৃত্য কৰে সেই নৃত্য পূৰ্ব্ববদ্ধ বিধিত প্ৰযোজনা কৰিবলৈ অনুমতি দিলে। তণ্ডৱ ওচৰত মহাদেৱৰ নৃত্যবিধি শিক্ষা কৰি ভৰতমুনিয়ে তেতিয়াৰে পৰা নাটকত স্থল বুজি সেই নৃত্য প্ৰয়োগ কৰিবলৈ ধৰিলে।"

এই দৰেই আৰু কিছুকাল গ'ল। লাহে লাহে ভৰতৰ শিষ্য সকলে নাট্যবেদমদাধিত হৈ লোকৰ হাঁহি আৰু প্ৰশংসাৰ নিমিত্তে বাউল হৈ নিজ বুদ্ধিৰে নাটালীলাত গ্ৰাম্য ধৰ্ম্মৰ প্ৰবৰ্ত্তন কৰিবলৈ ললে। নাটৰ নামত নিষ্ঠুৰ আৰু অপ্ৰশস্ত কাব্যৰ অভিনয় হবলৈ লাগিল। পৰম পবিত্ৰ নাট্যধাৰাৰ এই পঙ্কিল অৱস্থা দেখি ঋষি-সমাজৰ ক্ৰোধ উপজিল। ভৰতৰ শিষ্য সকলক হীনাচাৰী হৈ হীন জন্ম প্ৰাপ্ত হবলৈ অভিশাপ দিলে। নাটালীলা নিমাত হ'ল। বাতৰি শুনি দেৱতাসকলৰ মন মৰি গ'ল। দেৱলোকত যি ধাৰি নাট্যধাৰা নিবলে বৈ আছিল সিও ঊৰ্দ্ধশীৰ্ষ উঠাদে হবণ কৰাৰ লগে লগে তিৰোহিত হল। নাট্যলীলাৰ এই অৱস্থাই ভৰতমুনিৰ প্ৰাণত বৰ আঘাত দিলে। এদিন নিজৰ পুত্ৰসকলক মাতি আনি আকৌ ঠাঁয়ে ঠাঁয়ে গৈ নিজ নিজ শিষ্যক নাট্যবেদৰ পবিত্ৰ প্ৰয়োগ শিকাই নিজৰ প্ৰায়শ্চিত্ত কৰিবলৈ পৰামৰ্শ দিলে। তেনেতে আৰু এটি সুবিধা আহি পৰিল। ন্যায় বুদ্ধি পৰাক্ৰমেৰে নহুষ বজাই সেই সময়তে দেৱলোক লাভ কৰিছিল। দেৱলোকৰ এই নাট্যলীলা যাতে মৰ্ত্যলোকৰ মানুহৰ মাজত প্ৰচাৰ পায় তাৰ নিমিত্তে ব্যগ্ৰ হৈ নহুষবজাই দেৱতাসকলক অনুনয় কৰিলে। দেৱতাসকলেবে পৰামৰ্শ কৰি ভৰতমুনিয়ে জনদিয়েক প্ৰধান শিষ্যক আচাৰ্য্য পাতি, মৰ্ত্যলোকৰ তিথি যজ্ঞ ক্ৰিয়াদিত এই নাট্য লীলা যাতে শুভ মঙ্গল স্বৰূপে সম্পাদিত হয় তেনে বিধি দি তাৰ পবিত্ৰ প্ৰয়োগ নহুষ বজাৰ অশ্বেসুপৰত শিকা দিয়াবলৈ আয়োজন কৰিলে। যথাযথ প্ৰয়োগ হোৱাত সকলো দেৱতা সন্তুষ্ট হৈ আচাৰ্য্য সকলৰ শাপ বিমোচন কৰি সিবিলাকক পুনৰ দেৱলোকলৈ লৈ গ'ল। মৰ্ত্যলোকত থাকোতে সিবিলাকৰ ঔৰসত মৰ্ত্যৰ মানবীৰ যি সকল সন্তান হল সেই সকল ভৰতৰ বংশ বুলি তেতিয়াৰে পৰা ভাৰতত প্ৰকীৰ্ত্তিত হল।"

এই সুন্দৰ ইতিহাসটিত বিশ্বাস কৰিব নলগীয়া অলৌকিক একো ঘটনা নাই। দেৱতাৰ ঠাইত অতি উন্নত এটি আৰ্য্য সম্প্ৰদায়, দৈত্যৰ ঠাইত বিভিন্ন জাতিৰ অনাৰ্য্য সম্প্ৰদায়, মহাদেৱৰ কৈশিকী বৃত্তিৰ ঠাইত নিগম প্ৰবৰ্ত্তিত নাধাধাৰাত আগমৰ নৃত্যাদিৰ সংমিশ্ৰণ, আৰু সৃষ্টিকৰ্ত্তাৰ ঠাইত সৃষ্টিৰ মঙ্গলৰ অৰ্থে পৰিস্ফুট হোৱা স্বাভাৱিক প্ৰতিভা, প্ৰেৰণা বা উদ্দীপনা বুলি যদি ব্যাখ্যা কৰা যায় তেন্তে দেৱতা আৰু সৃষ্টিকৰ্ত্তাত মাৰ বিশ্বাস নাই তেনে ঐতিহাসিকেও এই ইতিহাস বিশ্বাস কৰিবলৈ টান নেপাব। দেৱদৈত্যৰ যুদ্ধৰ 'অসুক্ততি' বোলা প্ৰথম নাটৰ অৱতাৰণা অতি স্বাভাৱিক। মনীষী বচকিনে ও যুদ্ধতেই কলাবিদ্যাৰ জনম বুলি এই এই সিদ্ধান্তকে কৰিছে। এই ইতিহাসৰ যি কাৰ্য্য কাৰণৰ প্ৰভাৱত যেনে উত্থান পতনৰ ধাৰা—সেই প্ৰভাৱ, সেই ধাৰাৰ আভাস সকলো যুগৰ সকলো দেশৰে নাট্যলীলাৰ ইতিহাসত স্পষ্টকৈ ফুটি পৰিছে। চমুকৈ কবলৈ গলে শিশুৰ হিয়াত যেনেকৈ বাৰ্দ্ধক্যত বিকশিত হোৱা সকলো বৃত্তিৰ বীজ নিহিত থাকে এই নাট্যশাস্ত্ৰৰ সৰল ইতিহাসৰ মাজত নিখিল বিশ্বৰ নাট্যলীলা সেই দৰেই জিলিকি আছে।

ভৰতমুনিৰ শত শিষ্যৰ শত চেষ্টাতে অগণন নাটক প্ৰণয়ন হোৱাটো স্বাভাৱিক। বামায়ণৰ বালকাণ্ডৰ পঞ্চম সৰ্গত সেইকালৰ অযোধ্যাবৰ্ণন প্ৰসঙ্গত লিখা আছে—"সেই পুৰী সৰ্ব্বতোভাগ 'বধুনাটক সঙ্ঘ' বিলাকেৰে মুখবিত হৈছিল।" সেই কাণ্ডৰে অযোধ্যা সৰ্গৰ যজ্ঞবৰ্ণনা প্ৰসঙ্গত 'নট নৰ্ত্তকৰ' উল্লেখ আছে।

তদুপৰি অযোধ্যা কাণ্ডত কেকয় বাজ্যত থাকোতে ভৰতে যেতিয়া দশৰথৰ মৃত্যু-সূচক দুস্বপ্ন দেখিছিল তেতিয়া তেওঁৰ মন দুখাৱৰ নিমিত্তে যি আমোদ প্ৰমোদৰ অয়োজন হৈছিল তাৰ ভিতৰত হাস্যৰস প্ৰধান নাটকাদিৰ নামো লৈছে। ইয়াত বাজেও ভৰতমুনিয়ে নাট্যশাস্ত্ৰতে নায়ক নায়িকাৰ জাতিভেদ, বস্তু আৰু অঙ্গভেদে, বিশেষকৈ বসভেদে নাটকৰ 'দহকপকৰ দহোটি শ্ৰেণী কবি থৈ গৈছে; যেনে—নাটক, প্ৰকৰণ, ভাণ, বিথী, ব্যায়োগ, সমবকাৰ, ডিম, অঙ্ক, ঈহামৃগ আৰু প্ৰহসন। নাটক চাৰিলে মুখে মুখে হলেও অনেক বচনা হৈছিল। নহলে শ্ৰেণী বিভাগৰ প্ৰয়োজন কি? কত নাটক ফেনৰ ফুটুকাৰ দৰে দলে দলে মিলি এটি ডাঙৰ ফুটুকা হৈ অনন্তপ্ৰবাহৰ চিৰ স্মৃতিত চাগৈ বিলীন হল।—তাৰ বাতৰি কোনে দিয়ে? কালৰ প্ৰবল সোঁতত দুই এখনি প্ৰাণতকৈও প্ৰিয় যুগান্তৰ ঘটোৱা গ্ৰন্থত বাজে সকলো লোগ পালে। সেই কিখন গ্ৰন্থত নাটকৰ সম্বন্ধে যি মন্তব্য তাৰ পৰা সহজে বুজিব পাৰি অগণন নাটকৰ দোষাদোষ, নানা দেশ, নানা কাল, নানা পাত্ৰৰ সুবিধা অসুবিধাৰ পূৰ্ণপ্ৰসঙ্গৰ পৰা অনুমান কৰিলোপা সেই গভীৰ সিদ্ধান্ত—যি সিদ্ধান্ত খন দিয়েক নাটক বা কিছুকালৰ চেষ্টাৰ গণ্যালোচনাৰ পৰা পোৱা কোনো ৰকমেই সম্ভৱ নহয়।

দশৰূপকৰ প্ৰত্যেক ভাগৰে যি লক্ষণা আছে তাৰি চাই এই সময়টোকে হোৱা নাটক বিলাকৰ এটি চমু আভাস পাব পাৰি। অধিকাংশ নাটকতেই দেৱতা অসুৰ আদিৰ প্ৰসিদ্ধ বৃত্তান্ত—শৃঙ্গাৰ, বীৰ আৰু কৰুণ বস প্ৰধান। কিছুমানত পৌৰাণিক আৰু কল্পিত বিষয়েও স্থান পাইছিল। দেৱাসুৰ সংগ্ৰাম বিষয়ক কোনোবিলাক বেদৰ উক্তিক আৰু গায়ত্ৰী ছন্দত বচনা কৰা কোনোবিলাক সংস্কৃতেবে বচনা। অসুৰ যক্ষ আদিৰ বচন হাততো দেশ বিভাগ অনুযায়ী সেই কালৰ প্ৰাকৃতত বচনা। অভিনয়ত প্ৰয়োজন অনুযায়ী হস্তী, বথ, অশ্ব কি নগৰ ধ্বংসাদিৰ দৃশ্যও প্ৰদৰ্শিত হৈছিল। বস্তু বিন্যাসৰ প্ৰয়োজন ভেদে কোনো বিভাগত এক, দুই তিন, বা চাৰি অঙ্ক, আৰু নাটক প্ৰকৰণাদিত পাঁচৰ পৰা দহ অঙ্কলৈকে আছিল। ভাগ আৰু বিথীত এজন অভিনেতাৰে, বাকীবিলাকত একাধিক অভিনেতাবে অভিনীত হৈছিল, সকলো নাটকতে প্ৰযোজনানুসাৰে নাট্যশাস্ত্ৰনিৰ্দ্দিষ্ট আৰম্ভ, প্ৰহসন, প্ৰাপ্তি সম্ভৱ, ফলপ্ৰাপ্তি, আৰু ফল যোগ এই পঞ্চাৱস্থাই কাব্যৰ শৰীৰ ফুটাই তুলিছিল। অভিনয়ত লোমহৰ্ষক ঘটনা আৰু চুম্বনাদি অশ্লীল অভিনয় সৰ্ব্বতোভাবে পৰিহাৰ কৰিছিল। আহাৰ নিদ্ৰা আদি পাশবিক চেষ্টা আৰু জাতীয় অগৌৰবজনক কোনো কথাকে ভাষাবে বা অভিনয়েৰে বঙ্গমঞ্চত কদাপিও নেদেখুৱাইছিল।

নাট্যশাস্ত্ৰৰ লগে লগেই মহাকাব্য যুগৰ আৰম্ভণ। মহাকাব্যৰ নাম ললেই প্ৰথমে প্ৰথমে আদি মৰ্ত্যৰ আদি কবি 'বাল্মীকি কোকিল'ৰ কথা আহি পৰেহি। ভগবান বাল্মীকি অকল কাব্য জগতৰে আদিগুৰুৰেই নহয়, নাট্যজগতবো অতি উচ্চতম যুগপ্ৰবৰ্ত্তক। কি তীব্ৰ তপস্যাবে পৃথিবীৰ অন্তস্থল ভেদি তাৰ চিৰ পবিত্ৰ অঙ্গৰ ধাৰা ৰামায়ণৰ মাজেদি অনন্ত কাললৈ বোৱাই দিছিল! কত যুগৰ বিস্তৃতিৰ ঢল ভাৰতৰ বুকুৰেদি বৈ গল, কত খণ্ড প্ৰলয় কত ভীষণ হাহাকাৰে ভাৰতৰ বুকু কঁপাই গল তথাপি তথাপি আজিও ভাৰতে উচুপি উচুপি ৰামায়ণৰ গান বাতি দিনে বিনাব লাগিছে! ৰামায়ণ লিখা হলত আদি কবিয়ে কৈছিল, মই এক ৰামায়ন লিখিয়ে ক্ৰতাৰ্থ হলোঁ, আৰু গ্ৰন্থ কি লিখিম গ'—সঁচাসঁচিকৈয়ে এক 'ক্ৰতাৰ্থ' হল। অকল কাব্য লিখিয়েই নহয়, সীতাৰামৰ কৰুণ কবিতা, নাট্যশাস্ত্ৰৰ বিধানেৰে তন্ত্ৰীলয়ৰ মধুৰ সুৰে সুৰে বিশ্ব বিমোহন ভাৱভঙ্গিমাবে কুশলৱৰ সুকোমল মুখেদি প্ৰথম বিনোৱাইছিল এই মহাকবি বাল্মীকিয়ে। তপোবনৰ হৰিণ হৰিণীয়ে সেই প্ৰাণৰ বিননি বৈ গল শুনিছিল। এই মধুময় ঝঙ্কাৰে পৃথিবী জিনি গল এদিন গোটেই জগতৰ নাট্য বীণাৰ বিণিকি বিণিকি ইয়াৰে প্ৰতিধ্বনি উঠিল। সেই প্ৰতিধ্বনিৰ সুৰে সুৰে আজি জগতে গাব লাগিছে নিজ নিজ জাতিৰ জাতীয় গান. বাল্মীকিৰ আজি কি মহিমা, ভাৰতৰ আজি কি গৌৰৱ,—জগত জিনা নাট্যবীণাৰ তান সি প্ৰথমে

বাজিছিল ওমসাৰ তীৰৰ তপোবন, তাৰে এটি জীৰ্ণ কুটিৰত।

বহু যুগ ধৰি ভাৰতৰ সকলো কলাৰ সকলো চেষ্টাতে ৰামায়ণৰ প্ৰভাৰ পৰিবলৈ ধৰিলে। যুগে যুগে নতুন আলোকত এই সীতাৰামৰ অতুলন চৰিত্ৰ কাব্যৰ ছন্দেৰে, সঙ্গীতৰ সুৰেৰে নাটকৰ অভিনয়েৰে ধৰ্ম্মৰ প্ৰমাণেৰে চাই চাই ভাৰতৰ আজিও হেপাহ পলোৱা নাই। পুৰণিবো পুৰণি সীতাৰামৰ কাহিনী নিতৌ যেন নতুন। এই ৰামায়ণৰ দিনৰ পৰাই ভাৰতীয় নাট্যলীলাৰ আৰু এক সুঁতি বৈ আহিল। এই সুঁতিৰ সবিশেষ উল্লেখ নাট্যশাস্ত্ৰত নাই। সাক্ষাৎ গন্ধৰ্ব্ব সদৃশ ৰাজকুমাৰ কুশ-লৱৰ নাম অনুসৰি ভাৰতৰ অভিনেতাৰ আৰু এটি নাম হল কুশীলৱ। কোনো এক মহাকাব্যৰ কিয়দংশ এজন বা দুজন কুশীলৱেৰে ৰাজসভাত মুকলি ঠাইত অথবা যজ্ঞভূমিত সুললিত সুৰেৰে তন্ত্ৰীলয়েৰে, নাট্যশাস্ত্ৰৰ ভাৰভঙ্গিমাবে অভিনীত কৰোৱাই এই নতুন সুঁতিৰ বিশেষত্ব। লাহে লাহে পাচলৈ বিশেষকৈ বুজোৱাৰৰ মনেৰে কৰিৰ পাৰি পাৰ্শ্বিক বৰ্ণনা আৰু মস্তব্যবিলাক সংযোজক আৰু পুৰক হিচাপে অভিনয়ৰ মাজে মাজে গাৰ লগাত পৰিল তাকে অভিনেতাৰ মুখেৰে নগোৱাই পালীৰ মুখেৰে গোৱাবলৈ ধৰিলে। ইয়াৰে ক্ষীণ প্ৰতিধ্বনি আজিও অযোধ্যাৰে ৰামলীলাত, অসমৰ ভাৱনাৰ গীতত, বঙ্গালী যাত্ৰাৰ ভুবি গানত সুন্দৰকৈ শুনা যায়। অভিনয় প্ৰণালীবে হোৱাৰ কাৰণেই হওক, কৰুণ কবিতাই জনসাধাৰণৰ প্ৰাণ আকৰ্ষণ কৰাৰ বাবেই হওক, অথবা অভিনয়াদিৰ সুবিধাৰ নিমিত্তেই হওক চাণ্ডতে চাণ্ডতে গোটেই ভাৰত ব্যাপি এই অভিনয় লোক প্ৰিয় হৈ পৰিল। একো বিচিত্ৰ নহয় কালত পুৰে মালয় দ্বীপপুঞ্জৰ, পশ্চিমে ভূমধ্যস্থ সাগৰৰ তীৰ পৰ্য্যন্ত যতে যতে ভাৰতৰ কলাবিদ্যাই প্ৰতিপত্তি লাভ কৰিছিল ততে ততে ৰামায়ণৰ কৰুণ বীণা বাজি উঠিছিল। আজিও আচণ্ডাল ব্ৰাহ্মণ সকলো ভাৰতবাসীৰ মুখত একোকি ৰামায়ণৰ গান, ভাৰতীয় সেনাৰ যুদ্ধৰ অৱসৰত যি বিশ্ৰাম, তাতো ৰামায়ণ গান, নাওঁ বাই যোৱা নাৱিকীয়াৰ সুৰ তাতো অনেক সময়ত ৰামায়ণ!

—আগলৈ



ভক্তি-মার্গ

—শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা

৪

বিষয় ত্যাগ আৰু সঙ্গ ত্যাগৰ দ্বাৰাই ভক্তি সাধিত হয়। ভক্তিত সম্পূর্ণ একাগ্ৰহোৱা আৱশ্যক, নতুবা মন বিক্ষিপ্ত আৰু চঞ্চল হয়। ভক্তি সাধন কৰিবলৈ গলেই প্ৰথমতে বৈৰাগ্য অৱলম্বন কৰি নিঃসঙ্গ হোৱা আৱশ্যক। এইবাবেই বশিষ্ঠই শ্ৰীৰামচন্দ্ৰক শিক্ষা দিছিল—

"অন্তৰেকো বহির্যানা অন্তৰোধা বহির্জড়ঃ।
অন্তস্ত্যাগী বহিঃসঙ্গী লোকে বিচৰ বাঘৱ।'
"অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত,
অন্তৰত বোধ বাহিৰত জড় প্ৰায়।
বুদ্ধিত সমস্ত ত্যজিয়োক, বাহিৰত সঙ্গ দেখাওক
এই ভাৱে ৰাম! লোকত ফুৰা বেড়াই॥"
(যোগা)

তৃতীয় স্কন্ধ ভাগৱতত কপিলে মাক দেহতিক ভক্তি-যোগৰ বিষয়ে কৈছে—"হে আই! স্বাভাবিক বৃত্তিভেদত মানুহৰ ভক্তিৰ ভেদ হয়। খণ্ডাল মানুহে হিংসা, দম্ভ আৰু মাৎসৰ্য্যভাৱে মোক যি ভক্তি কৰে সেই ভক্তিক তামস ভক্তি বোলে। বিষয়, যশ, আৰু ঐশ্বৰ্য্যকামনা কৰি ভেদ দৰ্শী হৈ প্ৰতিমাত মোক যি ভক্তি কৰে, তাক ৰাজস ভক্তি বোলে। পাপক্ষয় হবলৈ ভগৱন্তৰ প্ৰীতি সম্পাদন, কামনা কৰি, আৰু ভগৱন্তত কৰ্ম্মফল সমৰ্পণ কৰিবৰ উদ্দেশে। যজ্ঞাদি কৰ্ত্তব্য বিবেচনা কৰি, বা অন্যান্য উদ্দেশে ভেদদৰ্শন কৰি যি ভক্তি কৰা হয়, সি সাত্ত্বিক ভক্তি। সাগৰলৈ যোৱা গঙ্গা জলৰ ধাৰাৰ নিচিনা যি মনোগতি মোৰ নাম গুণ শ্ৰৱণত নিষ্কামভাৱে ভেদদৰ্শন ৰহিত হৈ অবিচ্ছিন্নভাৱে নিবিষ্ট হয়, তাক নিৰ্গুণ-ভক্তিযোগ বোলে। নিৰ্গুণ-ভক্তিকামীক সালোক্য সাষ্টি, সামীপ্য, সাৰূপ্য আৰু সাযুজ্য মুক্তি যাচি দিব খুজিলেও তেওঁ লয়। তেনে ভক্তই মোৰ সেৱাৰ বাহিৰে একো নিবিচাৰে। এনে ভক্তিকেই আত্যন্তিক ভক্তি বোলে। এই ভক্তিযোগেৰেই ত্ৰিগুণ অতিক্ৰম কৰি ব্ৰহ্মত্ব-প্ৰাপ্ত হয়। এনে ভক্তই চিত্তশুদ্ধি কৰিবৰ নিমিত্তে এনে এনে উপায় অৱলম্বন কৰিব লাগিব যেনে—ফল কামনা নকৰি নিত্য-নৈমিত্তিক স্ব স্ব ধৰ্ম্মৰ অনুষ্ঠান কৰিব লাগিব। নিতৌ শ্ৰদ্ধাযুক্ত চিত্তেৰে ঈশ্বৰৰ নিষ্কাম পূজা কৰিব লাগিব। ঈশ্বৰৰ প্ৰতিমাদি দৰ্শন স্পৰ্শন, স্তৱ, বন্দনা প্ৰভৃতি কৰিব লাগিব। সকলো প্ৰাণীকে আত্মৱৎ বিবেচনা কৰিব লাগিব। মহৎ ব্যক্তিসকলক সম্মান, দুখীয়াৰ প্ৰতি দয়া, আত্মসদৃশ ব্যক্তিৰ প্ৰতি মিত্ৰতা, বাহেন্দ্ৰিয় নিগ্ৰহ, অন্তৰিন্দ্ৰিয় দমন, ঈশ্বৰৰ গুণ নাম শ্ৰৱণ আৰু কীৰ্ত্তন, সবলতাচৰণ, সৎসঙ্গ গ্ৰহণ, নিৰহঙ্কাৰতা প্ৰদৰ্শন কৰিব লাগিব। এই দৰে মোৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তন কৰিলে তেনে ভক্তই মোক অনায়াসে পাব।

"কোনো কোনো মানুহে এইবোৰ অৱজ্ঞা কৰি, প্ৰতিমা-পূজাৰ পূজা-বিড়ম্বনা পায়। মই সৰ্ব্বভূততে বৰ্ত্তমান, আৰু সকলো প্ৰাণীৰে আত্মা আৰু ঈশ্বৰ। যি মূঢ়তাবশতঃ মোক ত্যাগ কৰি প্ৰতিমা অৰ্চ্চনা কৰে, সি মাথোন ভস্মত ঘিউৰ আহুতি দিয়ে। সি মোৰ বিদ্বেষী অভিমানী। সি মনত শান্তি নাপায়। সি লোকনিন্দক। সি নানা প্ৰকাৰ দ্ৰব্য আৰু নানা দ্ৰব্যোৎপন্ন ক্ৰিয়াৰ দ্বাৰাই মোৰ প্ৰতিমাত মোক অৰ্চ্চনা কৰিলেও মই তাৰ প্ৰতি প্ৰীত নহওঁ। মই সৰ্ব্বভূততে আছো মানুহে যেতিয়ালৈকে মোক নিজৰ হৃদয়ৰ মাজত থকাতো জানিব নেৰাৰে তেতিয়ালৈকে সি স্বকৰ্ম্মনিষ্ঠ হৈ প্ৰতিমাদি পূজা কৰিব পাৰে। যি আত্ম পৰত

সামান্য মাথোনো ভেদ দৰ্শন কৰে মই মৃত্যু স্বৰূপ হৈ সেই ভিন্নদৰ্শী ব্যক্তিৰ ঘোৰতৰ ভয়ৰ বিধান কৰোঁ। এই বাবেই কওঁ যে মোক সৰ্ব্বভূতাত্ম আৰু সকলো প্ৰাণীতে অৱস্থিত জানি দান মান মৈত্ৰী আৰু সম দৰ্শিতাৰ দ্বাৰাই সকলোকে অৰ্চ্চনা কৰাটো মানুহ মাত্ৰৰেই অৱশ্য কৰ্ত্তব্য। অচেতন পদাৰ্থতকৈ সচেতন পদাৰ্থ শ্ৰেষ্ঠ। সচেতন পদাৰ্থতকৈ প্ৰাণ বৃত্তিমান ব্যক্তি শ্ৰেষ্ঠ। প্ৰাণধাৰীতকৈ জ্ঞানবান জীৱ শ্ৰেষ্ঠ। জ্ঞানবান জীৱতকৈ ইন্দ্ৰিয় বৃত্তিশালী স্পৰ্শবেদী জীৱ পাদপাদি শ্ৰেষ্ঠ। তাতকৈ ৰসবেদী মৎস্যাদি শ্ৰেষ্ঠ। মাছতকৈ গন্ধবিদ ভোমৰা আদি শ্ৰেষ্ঠ। ভোমৰাতকৈ শব্দবেদী সৰ্পাদি শ্ৰেষ্ঠ। সৰ্পাদিতকৈ ৰূপভেদবেত্তা কাউৰী আদি শ্ৰেষ্ঠ। ৰূপভেদবিদ কাউৰী আদিতকৈ দুপাৰি দাঁত থকা জীৱ শ্ৰেষ্ঠ। বহুপদ জীৱ এইবোৰতকৈ শ্ৰেষ্ঠ। বহুপদতকৈ চতুষ্পদ জীৱ শ্ৰেষ্ঠ। চতুষ্পদতকৈ দ্বিপাদ মনুষ্য শ্ৰেষ্ঠ। মানুহৰ ভিতৰত চাৰি বৰ্ণ শ্ৰেষ্ঠ। চাৰি বৰ্ণৰ ভিতৰত ব্ৰাহ্মণেই শ্ৰেষ্ঠ। ব্ৰাহ্মণৰ ভিতৰত বেদজ্ঞ ব্ৰাহ্মণ শ্ৰেষ্ঠ। অৰ্থজ্ঞতকৈ মীমাংসা কাৰী ব্ৰাহ্মণ শ্ৰেষ্ঠ! মীমাংসাকাৰীতকৈ স্বধৰ্ম্ম নিষ্ঠাবান ব্ৰাহ্মণই শ্ৰেষ্ঠ। সঙ্গত্যাগী ব্যক্তি স্বধৰ্ম্ম নিষ্ঠাবান ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ। তেনে মানুহেই নিষ্কাম ধৰ্ম্ম। নিষ্কামী সঙ্গত্যাগী মানুহৰ অশেষ কৰ্ম্ম। কৰ্ম্মফল আৰু দেহ মোত সমৰ্পিত। তেওঁৰ আত্মা আৰু কৰ্ম্মফল মোতেই ন্যস্ত। সেইজন সকলোতে সমদৰ্শী আৰু কৰ্ত্তৃত্ব অভিমান শূন্য। এই বাবে তেওঁতকৈ আৰু কোনো জীৱকেই মই শ্ৰেষ্ঠ বুলি নাভাবো। ঈশৰ অন্তৰ্য্যামী ৰূপে সকলো ভূততে প্ৰবিষ্ট আছে। এতেকে বহুমান্য কৰি সকলো প্ৰাণীকেই প্ৰণাম কৰা কৰ্ত্তব্য। ঈশ্বৰ সকলোৰে প্ৰভু। তেওঁৰ কোনো প্ৰিয় নাই। কোনো অপ্ৰিয় নাই। কোনো বান্ধৱ নাই। তেওঁ স্বয়ং অপ্ৰমত্ত হৈ প্ৰমত্ত জনৰ অন্ত বিধান কৰে। তেওঁৰ ভয়তেই বতাহ বলিছে সূৰ্য্যই উত্তাপ দিছে, ইন্দ্ৰই বাৰি বৰ্ষণ কৰিছে নক্ষত্ৰ বোৰে দীপ্তি প্ৰকাশ কৰিছে বৃক্ষ লতা ওষধিয়ে নিজ নিজ কালত ফল ফুল পাত দিছে। তেওঁৰ ভয়ত নৈ বৈছে, সাগৰে কূল অতিক্ৰম নকৰে, অগ্নি প্ৰদীপ্ত হৈছে, পৃথিবী পৰ্ব্বতেৰে সৈতে জলমগ্ন নহয়, তেওঁৰ আজ্ঞাতে এই আকাশে জীৱিত প্ৰাণীৰ শ্বাস ক্ৰিয়াৰ অৱকাশ দিছে। মহতত্ত্ব সপ্ত পদাৰ্থৰে আবৃত হৈ অহঙ্কাৰ তত্ত্বাত্মক স্বীয় দেহক লোকৰূপে বিস্তাৰ কৰিছে। তেওঁৰ ভয়তেই গুণনিয়ন্তা ব্ৰাহ্মণাদি দেৱতা সকলে এই বিশ্বৰ সৃষ্টি কাৰ্য্যত বাৰে বাৰে প্ৰবৰ্ত্তমান হৈছে। তেৱেঁই মৃত্যুৰ দ্বাৰাই যমকো মাৰে। তেওঁ আদি কৰ্ত্তা স্বয়ং অন্তকৰো অন্তক, অনাদি, অনন্ত, আৰু অব্যয়।

প্ৰহ্লাদ নিৰ্গুণ ভক্তিকামী। আৰু এই ভক্তিযোগেই সৰ্ব্ব শ্ৰেষ্ঠ। নৃসিংহই তেওঁক বৰ যাচিলত, তেওঁ কৈছিল —হে প্ৰভু! যি আপোনাৰ দুৰ্ল্লভদৰ্শন লাভ কৰি আপোনাৰ পৰা সাংসাৰিক মঙ্গল প্ৰাৰ্থনা কৰে, সি আপোনাৰ ভৃত্য নহয়; সি বলিয়া। স্বামীৰ ওচৰত যি নিজৰ কল্যাণ আশা কৰে, সি ভৃত্য নহয়, আৰু যি স্বামীয়ে নিজৰ প্ৰভুত্বৰ ইচ্ছাত ভৃত্যক মঙ্গল বিতৰণ কৰে। তেৱেঁা স্বামী নামৰ যোগ্য নহয়। মই আপোনাৰ নিষ্কাম ভক্ত। আপুনিও মোৰ অভিসন্ধি শূন্য স্বামী। এতেকে ৰাজা আৰু সেৱকৰ দৰে অভিসন্ধি মোৰ প্ৰয়োজন নাই।

"বাঞ্ছে ফলতযু কৰি কৃত্য।
সিটো বাণিজ্যৰ নোহো ভৃত্য"
তোমাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী
নাহি কাম আমাৰ অন্যথা।
নুহি ৰাজা, সেৱকৰ যথা॥" (কীৰ্ত্তনঘোষা)

সপ্তম স্কন্ধ ভাগৱতত নাৰদে যুধিষ্ঠিৰক গৃহস্থৰ উৎকৃষ্ট ধৰ্ম্ম আৰু দেশকালাদি ভেদত বিশেষ বিশেষ ধৰ্ম্মৰ কথা কওঁতে কৈছিল—"হে ৰাজন! মনুষ্য, পশু, পক্ষী, কৃষি আৰু দেৱতাৰূপ শৰীৰবোৰ ভগৱন্তই সৃষ্টি কৰিছে, আৰু নিজে সেইবোৰৰ পুৰত জীৱৰূপে শয়ন কৰে; সেই বাবে ঈশ্বৰক পুৰুষ বোলে। এই শৰীৰ বোৰতে ঈশ্বৰ তাৰতম্যভাৱে অৱস্থিত। এতেকে পুৰুষেই পাত্ৰ। যাৰ

জ্ঞান অধিক সি উৎকৃষ্ট পাত্ৰ। পুৰুষবোৰে পৰস্পৰে পৰস্পৰক অৱজ্ঞা কৰিবলৈ প্ৰবৃত্ত হোৱা দেখি পণ্ডিতসকলে ত্ৰেতা যুগত পূজাৰ নিমিত্তে প্ৰতিমা সৃষ্টি কৰে। তেতিয়াৰে পৰা কিছুমান মানুহে শ্ৰদ্ধাৰে সৈতে প্ৰতিমাত হৰিৰ অৰ্চ্চনা কৰি আহিছে। কিন্তু পুৰুষ দ্বেষীসকলক প্ৰতিমাই পূজিত হৈয়ো ইষ্টফল নিদিয়ে।"

শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে

"শৰীৰ সবক মই বোলে চিত্তে।
মমতা কৰে পুত্ৰ ভাৰ্য্যাবিত্তে॥
তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি॥
বৈষ্ণৱত নাই ইসব মতি।
গৰুতো অধম কৃষ্ণ বদতি॥

"যস্যাত্মবুদ্ধিকুনপে ত্ৰিধাতুকে স্বধীঃ কলত্ৰাদিষু ভৌমইজ্যধীঃ
যত্তীৰ্থবুদ্ধিশ্চজলে ন কাৰ্হচিৎজনেষুভিজ্ঞেষু স এব গোখৰঃ॥

শ্ৰীকৃষ্ণই অক্ৰূৰক কৈছিল :—

"যত নদ নদী সিয়ো তীৰ্থহয়
শিলাৰ প্ৰতিমা দেৱ।
তেসম্বে পবিত্ৰ কৰে যবে পুনু
বহুকাল কৰে সেৱ।
দেখিল মাত্ৰকে ভকতে পবিত্ৰ
কৰে লোক নিৰন্তৰ।
দেৱে তীৰ্থে জানা ভকতজনৰ
অনেক মহদন্তৰ।" (কীৰ্ত্তন)

"ন হ্যম্ময়ানি তীৰ্থানি ন দেবা মৃচ্ছিলাময়া॥"
তে পুনন্ত্যুৰুকালেন দৰ্শনাদেব সাধব :"
(শ্ৰী মদ্ভাগৱত ১০ স্কন্ধ।)

বৈষ্ণৱে সকলো "প্ৰাণীক দেখন্ত আত্মসম।"

"সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত।
সমস্ত প্ৰাণীক পূজা বিষ্ণুবুদ্ধি কৰি।"

এই বাবেই ঈশ্বৰে কৈছে—"ভকতেসে জানা মোৰ প্ৰাণ।" কাৰণ বৈষ্ণৱ ভকতে (অৱশ্যে প্ৰকৃত জনে, মুখেৰে মাথোন নিজক তেনেকুৱা বোলাওঁতা জনে নহয়) "প্ৰাণীকে দেখন্ত আত্মসম।" নৱমস্কন্ধ ভাগৱতত ঈশ্বৰে দুৰ্ব্বাসাক কৈছিল—

"ভকত জনেসে মোৰ হৃদয়।
ময়ো ভকতৰ হিয়া নিশ্চয়॥
মোত বিনে ভক্তে নিচিন্তে আন।
ভকত বিনে মোৰো নাহি ধ্যান॥"

নাৰদৰ ভক্তি-সূত্ৰত আছে যে জীৱন ধাৰণৰ নিমিত্তে অত্যাৱশ্যকীয় ভোজনাদি কালৰ বাহিৰে যেতিয়াই আহৰি পাবা, তেতিয়াই ভগৱন্তৰ নাম গুণ কীৰ্ত্তন আৰু চিন্তা কৰিবা; নতুবা মন বিষয়-চিন্তাত নিমগন হয়। "লোকেঽপি ভগবদ্‌গুণ শ্ৰৱণ কীৰ্ত্তনাৎ।" অৰ্থাৎ লোকৰ পৰাও ঈশ্বৰৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তনকৰা শুনিবা আৰু নিজেও কৰিবা। "হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ।" (শঙ্কৰদেৱ) প্ৰহ্লাদে দৈত্যশিশুসকলক উপদেশ দিছিল—

"বিষ্ণুভকতৰ সঙ্গ লৈব প্ৰথমতে।
গুৰু মানি শুশ্ৰূষা কৰিব ভাল মতে॥
লৈয়া উপদেশ মাধৱ আৰাধিব।
যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিব॥
কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্ব্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন॥
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত॥
হেন জানি প্ৰাণাধিক কৰিব সৎকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ॥ (কীৰ্ত্তন)
"কথা শুনিলে সে গুচে মনৰ সংশয়।
কৃষ্ণৰ সেৱাত ৰতি তেবেসে বাঢ়য়॥"
(শঙ্কৰদেৱ)

মহন্তসকলৰ কৃপা বা ঈশ্বৰৰ কৃপা লেশেই ভক্তিৰ মুখ্য সাধন। জড়ভৰতে ৰাজা ৰহূগণক কৈছিল :—

ৰহূগণৈ তৎ তপসা ন যাতি ন চেজ্যয়া
নিৰ্ব্বপণাদ্ গৃহাদ্ বা।
নছন্দসা নৈব জলাগ্নি সূৰ্য্যৈৰ্ব্বিনা
মহৎ পাদৰ জোঽভিষেকম্।"
(ভাগৱত ৫ম স্কন্ধ)

অৰ্থাৎ হে ৰহুগণ! ভক্তি-সিদ্ধি তপস্যা দ্বাৰাই নহয়; যাগাদি কৰ্ম্মৰ দ্বাৰায়ো নহয়; ঘৰ এৰি যোগী হলেও নহয়; বেদ বেদান্ত পঢ়িলেও নহয়; স্নান, সন্ধ্যা, তৰ্পণেৰেও নহয়; অগ্নিহোত্ৰাদি যজ্ঞেৰেও নহয়; আৰু সূৰ্য্যোপস্থান বা গ্ৰীষ্মতাপসেবনাদিৰ দ্বাৰায়ো নহয়; ভক্তি-সিদ্ধি মাথোন মহন্তৰ পদধূলি গ্ৰহণত হে হয়।

"পৰম ঈশ্বৰদেৱ কৃষ্ণক নাপায় লাগ
তপ জপ যাগ যোগ দানে।
একান্ত ভকত-পদ-ৰেণু শুদ্ধ চিত্তে মাথো
অভিষেক নকৰয় মানে॥ (ঘোষা)

মহৎ সঙ্গ দুৰ্লভ, অগম্য আৰু অমোঘ। কিন্তু ভগৱন্তৰ কৃপা হলে মহতৰ সঙ্গ লাভ হয়। ভগৱন্ত আৰু সাধু ভক্তজনৰ ভিতৰত অলপো ভেদ নাই।

"হৰি যেন অতি কৃপাময় ভক্ত গুৰু জনো সেহিনয়,
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপা ৰসে তুষ্ট হয়াচিত্ত লোকৰ হিতক চিন্তি নিত,
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰ হীন॥"

"মহন্তৰ বাক্য যিটো কৰে তাক সুবাসনা অনুসাৰে
সন্তৰ কৃপাত ভজে গোবিন্দৰ পাৱে।
যিটো মহন্তক নিন্দা কৰে তাক দুৰ্ব্বাসনা বেঢ়ি ধৰে
কৃষ্ণক ভজিবে নপাৰয় মূঢ় ভাৱে॥" (ঘোষা)

নাৰদে কৈছে—

"তস্মিংস্তজ্জনে ভেদাভাবাৎ। ঈশ্বৰ আৰু ভক্ত মহন্তৰ ভিতৰত ভেদ নাই, ভগৱন্ত ভক্তাধীন। ভক্ত তেওঁত আৰু তেওঁ ভক্তত বিৰাজমান। ভক্তৰ দ্বাৰাই ভগৱন্তৰ মহিমা প্ৰচাৰিত হয়। এই বাবেই ভগৱন্তই ভক্ত নিন্দকক ক্ষমা নকৰে।

"ভকতক নিন্দা কৰে অধম।
জানিবা নামৰ দ্ৰোহী পৰম॥
যাত হন্তে ভৈল নামৰ খ্যাতি।
তাৰ কি নিন্দা নামে সহে অতি॥"

"তদেৱ সাধ্যতাং তদেৱ সাধ্যতাম।" অৰ্থাৎ তাৰে সাধনা কৰাঁ, তাৰে সাধনা কৰা। ভক্তিৰ বাহিৰে গতি নাই। সাধনাৰ এক মাথোন অমূল্য নিধি ভক্তি। নাৰদে কৈছে "হে মনুষ্য! হৰিৰ বাহিৰে তৰিবৰ উপায় নাই; এতেকে হৰিত ভক্তি কৰা।" "যাৰ মায়া-পাশে বন্দী হুয়াছ পামৰ মন তান দুই চৰণত ধৰ।"



ওঁ শান্তি

গল্প—

—শ্ৰীযুতা উষা দেৱী বি-এ
—শ্ৰীযুতা লীলা দেৱী বি-এ

(১)

এটি সৰু কোঠালি—দুখন বিচনা—ওচৰতেই এখন মেজ। মেজৰ ওপৰত সৰু ঘড়ী এটা আৰু ৰাশিকৃত কিতাপ। মেজৰ ওচৰৰ shelf খনতো অসংখ্য বন্ধোৱা কিতাপ।

বিচনাত শুই শীলাই বহুতপৰ নানা কথা ভাবি আছিল, আৰু কোঠালিটিৰ গহীন নিৰ্জ্জনতাৰ মাজত নিজক বিলাই দি অতল চিন্তাৰ সোঁতত নিজে ভাহি ফুৰিছিল। ঘড়ীৰ টিক্ টিক্ শব্দৰ বাহিৰে সৰু কোঠালিটোৰ গহীন নিৰ্জ্জনতা ভাঙিবৰ আন একোৱেই যেন সাহ কৰা নাছিল।

শীলাই ভাবিবলৈ ধৰিছে—আজি কলেজ নাই, ইমান পৰে শেৱালীজনীও নাহিল—তাতে মনটো বৰ উকঙা লাগিছে। শেৱালী থকা হলে 'আনকন্‌চাচ ৱাৰ্কিং' (unconcious working) সম্বন্ধে জানিবৰ কাৰণে ফ্ৰেণ্ডৰ (Frend) চাইকো এনালিচিচ (Psycho Analysis) খনেই পঢ়িলোঁহেতেন, তাকো আকৌ পঢ়িবলৈ মন যোৱা নাই। থ'ক Bergson খনেই পঢ়োঁ—এই বুলি কৈ ছেলফ (shelf) ৰ পৰা Bergson খন টান মাৰি উলিয়াই লৈ ভাবিবলৈ ধৰিলে—এই lifeক এওঁনো কেনেকৈ Dynamic বুলি ব্যাখ্যা কৰিছে—নিতৌ পৰিবৰ্ত্তনশীল জগতৰ মাজত আত্মাৰ অস্তিত্ব সম্বন্ধে বুজিবলৈ যে ইমান টান।

"কি হে দাৰ্শনিক সত্যক পাবলৈ আৰু কিমান পলম? একেবাৰে শেষ সিদ্ধান্ত পালা যেন হে লাগিছে?"

চক্ খাই উঠি মেল খাই থকা কিতাপখন জপাই শীলাই কলে "অ। শেৱালি! কেতিয়া আহিলা। বেয়া লাগিছিল হে অকলে অকলে—মই ঠিক ভাবিছিলোঁ তুমি আহিবা।"

"এৰা Telepathy science টো এনেয়েই ওলালনে? বাৰু, বেয়া নো তোমাৰ কেলেই লাগিছিল? মই হলে তোমাৰ Pessimistic turn-of mind টো গুচাবই নোৱাৰিলোঁ।" "শেৱালি! সকলো বুজোঁ—ভাবোঁ দুঃখ কৰি কি হব? কিন্তু কব নোৱাৰো মোৰ মাজে মাজে কিয় এনে হয়! মই কি ভাবো জানা? আমাৰ ইচ্ছাৰ স্বাধীনতা নাই, নিয়তিৰ দঁৰিয়লিত বান্ধ খাই থকা আমি একোটি পুতলা মাথোন? তুমি মোক কোৱা ভালকৈ পাছ কৰিলে ভবিষ্যৎ মোৰ কিমান পোহৰ! 'অসীম'ক বুকত লৈ তুমি কল্পনা কৰা মোৰ ৰাঙলী ভৱিষ্যতখনক! মোৰ হাঁহি উঠে?"

"শীলা, এন্ধাৰ এন্ধাৰ বুলি চিঞঁৰি ফুৰিলেই তো নহব? এন্ধাৰৰ মাজেদি পোহৰক উলিৱাবৰ ভাৰ তোমাৰ? সেই খিনিতেই তোমাৰ দুঃখৰ সাৰ্থকতা! আৰু সেই খিনিতেই তোমাৰ freedom of will অৰ দাবি। যি হওক—আজি মোৰ আৰু এই নীৰসতা অকণো ভাল লগা নাই—আজি তাপস বৰুৱাই "Count of Montecristo" দেখুৱাবলৈ নিবলৈ আহিবই। তোমাকো মাতিবলৈ বৰকৈ তেওঁ মোক অনুৰোধ কৰিছে—তোমাক নিবলৈ আহিছো—বাৰু অসীম ক'ত?"

"সি খেলিবলৈ গৈছে—আজি পেহীদেউৰ তাতেই থাকিব।"

"তেন্তে ভালেই হ'ল তুমি বলা! নাযাওঁ বুলিলে মই নেৰোঁ কিন্তু?"

"শেরালি! মোর হলে অলপো যাবর মন মোরা নাই হে! মন ভাল নাগাগিলে বাহিরা এইবিলাকে জানো মন ভাল লগাব পাবে?" "অন্ততঃ মোক সুখী করিবর কারণেতো বলা! আক নকর্ত দিয়া নিজর কথাকেই মাথোন ভাবিছা—বর self centred তুমি। কি ভাবিছা আকৌ মনে মনে থাকিলা যে, মোরোরা নেকি? মোরা—মইও নাযাওঁ। তাপস বরুরাক কৈ আহোঁগৈ নোযোরা বুলি।" এই বুলি কৈয়েই শেরালী চঞ্চোজমান আগ বাঢ়ি আকৌ উভতি আহি বর অনুনয়র সুরত সুধিলে—"সঁচাকৈয়ে নোযোরা নেকি শীলা?"

বন্ধুর এই মরম সনা আহ্বান শীলাই দলিয়াই পেলাব নোরাবিলে। তেওঁর গোটেই মনে গভীর ভালপোরাব সোরাদ পাই সুখক বিচাৰি উলিয়ালে।

"শেরালি, নাযাবা, মই যাম। মই সঁচাকৈয়ে বর স্বার্থপর। মই অকণো নাভাবিলো যে তোমাক অকণমানি সুখ দিব পাবিলেও মোর কিমান আনন্দ।"

* * * *

(২)

কার্জন হোটেল—সময় চুপবীয়া, আড্ডা নজরুলর কোঠালি।

"কি ও নজরুল! তই আজি মীনাব পিনে ইমানকৈ চাইছিলি কেলেই? বুজিছোঁ মই, কিন্তু ভাই কি হব, মীনাব পিছত কোন জানই নহয়?"

"কি যে শর্ম্মা চুপতি খন কবি থাক কবই নোরাবোঁ। ভাল বাক লাগিলেই, ধুনীয়া বস্তু চাবলৈতো আটাইবেই ভাল লাগে।"

—"পৈ দে তোব ধুনীয়ব আদর্শ। মই হলে শেরালীব নিচিনা ধুনীয়া এজনীকো নেদেখো।"

"ধবা পবিলিহে। এতিয়া কোন পগলা? মোক যে বব ঠাট্টা কবিছিলি। তাপসব লগত Duel কবিবি নেকি? থাক বোপাই তাপস আহিবব সময় হল—চাবিটা বাজিলেই অ' মোরা বকরা আহিছে। আহক বকরা আগোনালৈকে আমি বাট চাই আছিলো পিছে ক্লাব সম্বন্ধে কি কবিলে। কিমান টকা তুলিলে বকরা?"

—"কি কব গোটেই দিনটো ঘুবিও বিশেষ একো তুলিব নোৱাবিলোঁ—আমাব নিবাশাবাদী জাতিটোব নো কি হব? যদিকে যাবা তাতে শুদা হতাশব সুবেই শুনিবা—কৃষ্টি সম্বন্ধে অকণো নাভাবেই—অপব ক্লাব থাকিলে যে কিমান সুবিধা, আমাব মানুহে তাক ভাবিই নোৱাবে।"

"এবা বকরা! আমাব এনে কোনো অনুষ্ঠান এটি নাই, য'ত অসমীয়া লবা ছোৱালীয়ে মিলি অলপ স্বাধীন-ভাবে চিন্তা কবি সমাজব উন্নতিব কাবণে কিবা এফেবি কবিব পাবে—কিন্তু এনেকুবা ক্লাব থাকিলে যে দেশ সমস্যা বোব উঠি অহা লবাছোৱালীয়ে গহীনকৈ ভাবি পাবে আক কিমান সিদ্ধান্ত আনিব পাবে আমাব মানুহে তাক ভাবিবই নোৱাবে। পিছে কালি 'ফ্লাড বিলিফ'বে (flood relief) আমাব কমিটিব পবা কাক কাক পঠিয়াব বুলি ঠিক কবিলে?"

"নজরুল, তুমি, বকরা, নিখিল, নীবেণ;—এই কেইজনক কাইলৈ পঠাবলৈ ঠিক কবা হৈছে।"

—"আমাব ক্লাচব ছোৱালীবিলাকব মাজবপবা শেরালী, শীলা, মীনা, শুভলাবপবা বব 'উদগণি পাইছো'—বোব কবোঁ তেওঁলোকো নাব—নহয় শর্ম্মা?"

* * * *

(৩)

সন্ধিয়া—সক কোঠালিটোব চিমিক ঢামাকৈক অলি থকা চাকিব পোহবত শীলাই শিতানত বহি অসীমব শেষা মুখখনিলৈ চাই হুমুনীয়া পেলাই বিচি আছে। আহি একেবাহে সাতদিন ধবি অসীমব অব। শীলা আক শেরালীব অক্লান্ত সেবা শুশ্রূষাতো ভাল হোৱা নাই। হঠাৎ ছুবাবখন মেল খাই গ'ল—তাপস বকরা; লাহেকে অসীমব বিচনাব ওচবলৈ আহি শীলাব হাতব পবা বিছনিখন লৈ তাপসে সুধিলে:—"আজি দিনত জ্ব কিমান আছিল? বকরাই কি বুলি কলে?"

"১০৩ আছিল—পিছে ডাক্তবে কৈছে হাট (heart) ভালেই আছে—আক এ সপ্তাহমান খুব সাবধানে থাকিব লাগিব। শেরালী চাৰ্টবন দেখুৱাচোন বকরাক।"

শেরালীব হাতব পবা চার্টখন লৈ তাপসে কলে—"শেরালি! আজি কেইদিন টোপনি ক্ষতি কবিলা তোমালোকে?"

"আজি সাতদিন ধবি আমি একেবাহে শুব পবা নাই। মোব শীলাবেহে বেয়া লাগিছে—এনেয়ে ইমান দুর্ব্বল, তাতে আকৌ ইমান খাটনি হৈছে।"

তাপসে কলে—"সঁচাকৈয়ে বব খাটিছা তোমালোকে" শীলাদেৱীলৈ চাই কলে "পিছে মোব অনুবোধ এটা বাখিব লাগিব। এটা কাম কবক, আপোনালোক দুয়ো আজি শোৱক! মই বাতিটো পব দিওঁ।"

সকঁকৈ হুমুনীয়া এটা পেলাই শীলাই কলে "কি শুম? মোব জানো টোপনি আহিব?"

তাপসে কলে "আপুনি শুবই লাগিব। ইমান দিনে টোপনি ক্ষতি কবিছে। কলেজ কবিব কেনেকৈ?"

"সঁচাকৈয়ে—আগত যেতিয়া কঠোব বাস্তবতা দেখোঁ—তেতিয়া মনব সকলো দুর্ব্বলতা কবঁবালৈ যায়। বাক বকরা! আপুনি কোৱামতে শুবলৈ চেষ্টা কবোঁগৈ আপুনি অহাত জানিবা বব নিশ্চিন্ত হলো মই।"

গহীন এন্ধাব নিশা। বিবিকিণ্ডন মেলি দি শীলাই অসীমব শুববলৈ কোঠালিটোত বিছনা পাৰি শুবলৈ ললে।

বিচনাত পৰি উদাব আকাশব পিনে চাই বহুত পব নিতাল মাবি থাকিল। এই যে গভীব এন্ধাব বাতি—আকাশব এই যে এন্ধাবব লগত খেলা, তবাব আকুল চেষ্টা—এই গভীব কলাব মাজতো আত্ম বিকাশ কবিবলৈ টিমিক ঢামাক কৈ জ্বলি আকৌ নুমাই যায়—উদাব আকাশব লগতেই বিলীন হৈ যায়, অসংখ্য তবাব এই যে অনন্ত চেষ্টা ই কি অথলে যায়? ইইতব সম্মিলিত শক্তিয়েই যে পুৱা উষাব অকণব লগত গোপন মিলনব বাট উকলাই দিয়ে—উষা অকণব মিলনেই যে তবাব আত্মবিকাশব সার্থকতা, নীশাদেৱীব পবাজয়—তেওঁব আন্ধাব সৌন্দর্য্যক জগতব মাজত বিলাই দি গোপনে বিদায় লয়—উষা অকণব শুভ মিলনক্ষণত!

হঠাৎ শীলাই মনত অসীম বল পালে! জীবনব তেনে হলে সার্থকতা আছে। কোনে কয় জীবনব এই প্রয়াস এই চেষ্টা অকল মাথো বিফলতাব আয়োজন। নিজব মাজত যে এই "বিবাট মানব" আছে তাব আত্ম বিকাশব বাবেই তো মানুহব জীবন। ইমান যুদ্ধ ইমান দুঃখ—এই দুঃখব বিভিন্নতাব মাজেদি "বিবাট"ব এই যে আত্মপ্রকাশ—ইয়াব মাজতেই তো মানুহব চবম শান্তি—সচ্চিদানন্দব রূপ ইয়াতেই, ইয়াকেই পাই মানুহে আনন্দ সুধা পান কবে, অতৃপ্তিব মাজত তৃপ্তিব আসন আক সুন্দব হৈ উঠে।

এছাতি শীতল বা' আহি তেওঁব চিন্তাময়মুখত বুলাই দিলে—তেওঁ শান্তিময়ী নিদ্রাব কোলাত টোপনি গ'ল।

(৪)

চাবিওপিনে পানী, কেৱল পানী, ঘব-বাবী উট গৈছে, গৰু ছাগলী মানুহব বিলৈ! পঁচা মবাশব দুর্গন্ধ, দুর্দ্দশা গ্রস্ত মানুহব করুণ বিননি, মাকে চকুব আগত নিজব লবা ছোৱালীক ভোকত মবা দেখিছে—কিমানে নিজব পবিয়ালব চকুব আগতেই অতল কালব কুক্ষত লীন হৈ যোৱা দেখা পাইছে—ভগৱানব কি লীলা! প্রকৃতিব কি নৃশংস মূর্ত্তি। শান্তিময়ী প্রকৃতি দেৱীয়ে কি রুদ্র মূর্ত্তি লৈ যেন পাপব প্রতিশোধ লবলৈ মহাকাল মূর্ত্তিত দেখা দিছে! মানুহব করুণ বিননিয়ে যেন তেওঁব মুখত নিঠুব হাঁহি ফুটাইছে। তাপসে চাবিদিন লঘোনে থকা অনাহাবী আক নিবন্ন মানুহ বিলাকক কাণোব আক অন্ন বিলাই ফুবিছে—এবুজ পানী খচকি তেওঁব শবীব বব অবসন্ন হৈ পবিছে।

সিদিনা গধুলি—চাবিওপিনে মৃত্যুব বিভীষিকাই ঠাই ডোখব আক গহীন কবি পেলাইছে—তাপসে হাতত ঔষধব বাকচটো লৈ উভতিছে—হঠাৎ পাছ পিনে ঘুবি দেখে এগবাকী ভদ্রমহিলা, মনত হ'ল শিক্ষিতা, গাৱলীয়া নহয়, ওচবলৈ গৈ দেখে শেরালী।

"শেরালি! ইকি, তুমি ইয়াত! তোমাব কি হৈছে?" এই বুলি উমাকু খাই তেওঁ ওচব আহি পাওঁতেই দেখে প্রায় শেরালী মূর্চ্ছা যাবব অৱস্থা। আজি কেবাদিনো অনাহাবে ঘুবি বানপানী নিপীড়িত মানুহক কাণোব

বিলাই অবসন্ন দেহা লৈ ঘৰলৈ উভতি আহোঁতেই তেওঁ সুখ ঘুবাই পৰি যায়।

(৫)

আজি কেদিনমান হ'ল শেৱালী ভাল অৱস্থাৰ পিনে আছিছে। ডাক্তৰ বকৰাই ভাল হব বুলি আশ্বাস দিছে।

ছুপৰীয়া—। সাৰ পাই শেৱালীয়ে ওচৰতে দেখে তাপস বকৰা। আজি চাৰি দিনৰ মুৰত শেৱালীয়ে সম্পূর্ণ জ্ঞান পাই ইমান ওচৰতে তাপসক দেখি আচৰিত হৈ সুধিলে—"মই ক'ত?" জীয়েকৰ মাত শুনি উধাতু খাই ভবি পঠানত বহি থকা মাকে মাত লগালে—"আই তই মোৰ ওচৰতে। তাপস বোপাটায়ে আৰু শীলা আইদেউয়ে জানিবা শুশ্ৰূষা কৰি এইবাৰলৈ বচালে আই।"

অতি ক্ষীণ স্বৰেৰে চকু মুদি শেৱালীয়ে কলে "আপোনাক বহুতো ধন্যবাদ।" তাপসে মাথোন হুমুনিয়া পেলাই লাহে লাহে শেৱালীক বিচিবলৈ ধৰিলে। আৰু কলে "তুমি ৰব দুৰ্ব্বল হৈ আছা এতিয়া কথা নপতাই ভাল।"

(৬)

কলেজত তাপস আৰু শেৱালীৰ ওপৰত সকলোৰে শ্ৰদ্ধা বাঢ়ি গ'ল। কিন্তু কিছুমান ছোৱালীয়ে সিহঁতৰ সম্বন্ধে ঘুহুক ঘানাক কৈ ই টো সি টো কথা উলিয়াবলৈ ধৰিলে। শেৱালী আৰু তাপসক লৈ—প্ৰায়েই সিহঁতৰ ভিতৰত আলোচনা হয়।

শীলা কলেজলৈ আহে। মন তেওঁৰ ৰব বেয়া। শেৱালী এতিয়াও কলেজলৈ আহিব পৰা নাই। শীলা কিন্তু বাজে কথাত কেতিয়াও নাথাকে। ফাইনেল পৰীক্ষা ওচৰতে দেখি নিয়মমতে পঢ়িবলৈ ধৰিছে আৰু সময় পালেই শেৱালীৰ ওচৰলৈ গৈ তেওঁৰ শুশ্ৰূষা কৰে।

এদিন মীনাই ক'লে—"হেৰা শীলা তোমাৰ বন্ধুৱে যি হওক তাপস বকৰাৰ লগত এইবাৰ বেচ এটা বোমান্স কৰিলে ফুল বিলিফ লৈ যাওঁতে।"

গহীন কৈ শীলাই উত্তৰ দিলে—"তাৰ মানে? তুমি কি ৰব খোজা, মই কিন্তু বুজিব পৰা নাই।"

"বুজিও ঘুবুজা ভাও ধৰিলেতো নহব—বন্ধুৱে যে ইপিনে প্ৰেম কৰি ফুৰিছে? তোমাৰ যেন একেবাৰে খবৰেই নাই নহয়?"

শীলা যদিও খুব অস্থিৰ চিত্তৰ নাছিল তথাপি আজি বন্ধুৰ বিৰুদ্ধে এনে ডাঙৰ এটা কথা শুনি খং জমাৰ নোৱাৰি কৈ উঠিলে—"বুজিছা মীনা আমি যি শিক্ষা পাইছোঁ—তাক প্ৰকৃত শিক্ষা বুলিব নোৱাৰি। এটা ভাল কথালৈ আগ বাঢ়িলেও তাক এপ্ৰিচিয়েট (appreciate) কৰিবলৈ শিক্ষিত মানুহো ইমানদিনি সঙ্কীৰ্ণ হৈ পৰিছে। আমাৰ সমাজ ইমান সঙ্কীৰ্ণ গণ্ডীৰ মাজত যে তাত মানুহৰ পৰিত্ৰ আত্মাই বিকাশ পাবলৈ বহুত ঠাই নাপায়। নাৰী পুৰুষৰ বিভিন্নতাটো ইমান বেছি যে এটা লৰাৰ লগত যে এজনী ছোৱালীৰ কেতিয়াবা Intellectual friendship হব পাৰে তাক আমাৰ মানুহে ভাবিবই নোৱাৰে।"

সুৰলাই কৈ উঠিল। "থৈ দিয়া তোমাৰ Intellectual friendship অৰ কথা। এইটো একেবাৰেই অসম্ভৱ কাৰণ আমি শিক্ষা প্ৰকৃতভাবে এতিয়াত পোৱা নাই। বাছেলৰ "On Education" বোলা কিতাপখন পঢ়িছানেন? তেনে, বুজি পাবা—সকলে পৰা আমি কি ভাবে শিক্ষা পাইছো—সকলে পৰা আমি শিকিছো পুৰুষক একেবাৰে বেলেগ কিবা এটা ভয়ঙ্কৰ বস্তু বুলি—ছটা যেন ঠিক সমান্তৰাল বেখাহে চলি গৈছে। সেইবাবেই উভয়ে উভয়ক বুজিবলৈ সুযোগ পোৱা নাই—ফলত দোষ পৰিছে গৈ সহঅধ্যয়নৰ ওপৰত।" কথাষাৰ শেষ নোহোওঁতেই ঘণ্টা পৰিল—আটায়ে ক্লাচলৈ গুচি গল।

(৭)

গা ভাল পাই ছুপৰীয়া শেৱালীয়ে নীলা বিয়া মেখেলাজোৰ পিন্ধি শীলাৰ কাৰণে বাট চাই আছিল। শৰীৰৰ বাবে তেওঁৰ মনৰ অৱস্থাও ভাল আছিল। সেই বাবে কাপোৰ জোৰ পিন্ধি বন্ধুৰ বাৰে বাট চাই

থাকিবলৈ তেওঁৰ ৰব মধুৰ লাগিছিল। মাজে মাজে অপ্রত্যাশিত ভাবে তেওঁৰ মনে আৰু আন এজনৰ কাৰণেও বাট চাই আছিল—তেওঁ নিজেই ক'ব নোৱাৰে কিয়। আগফালৰ কোঠালীটোত বহি বহুতপৰ শীলা নহাদেখি ফুলনিৰ পৰা ফুল কিছুমান তুলি তেওঁ বহা কোঠাটোৰ ফুলদানী বোৰত ধুনীয়া কৈ সজাবলৈ ধৰিলে। আৰু এটা বেলেগে বগা গোলাপ ফুলৰ তোৰা অসীমৰ কাৰণে বৈ দিলে।

ফুলনিৰ মাজত যেতিয়া তেওঁ ফুল তলিত ব্যস্ত, তেতিয়া তেওঁক ৰব ধুনীয়া দেখুৱাইছিল। উজল মুখ খনিত সুকৰৰ পোহৰ পৰি আৰু ধুনীয়া হৈছিল। কেকোৱা চুলি আৰু ধুনীয়া শান্ত গহীন চকুদুটীলৈ চালে মনত হয় যেন হাতত তেওঁ ফুল লৈ ওলাইছে চিৰ সুন্দৰৰ আৰাধনালৈ। হঠাৎ গেট খোলা শব্দ শুনি দেখে তাপস। ফুলৰ তোৰাটো হাতত ভালকৈ লৈ চুলি কোচাবে কাণখন ঢাকি হাঁহি আগ্ৰহৰ সুৰবেৰে ক'লে—"ভালেই হল আপুনি আহিলে। ইমান পৰ শীলা জনীলৈ বৈ আছোঁ—তেওঁ অহাই নাই অকলে ৰব বেয়া লাগিছিল।"

তাপসে কিছুপৰ শেৱালীৰ ধুনীয়া মুখ খনিলৈ প্ৰশান্তিৰে চকুৰে চাই হাঁহি কলে "আমাৰ কৰ্ম্মীক সম্পূর্ণৰূপে ভাল দেখি ৰব ভাল লাগিছে।" শেৱালীয়ে কলে "আহক ইয়াতে বহক হি। আয়েও কেইদিনমানৰ পৰা আপোনাৰ কথা ৰবকৈ সুধিছিল। আপুনি ইয়াত বহক। ৰব সুন্দৰ বতাহ দিছে—আইক মই কৈ আহোঁগৈ।"

তাপসে পটিকৰ হেলনীয়া চকী খনতে বহি শেৱালীৰ সৰল ব্যাহাৰৰ কথাকে ভাবি ধৰিলে। এনেতে শেৱালীয়ে মাকক লৈ আহি কলে "এইয়া তাপস বকৰা বহি আছে আই।"

মাকে তাপসৰ মুৰত হাত বুলাই কলে "এবা বোপাই কেবাদিনো তুমি অহা নাই। মই আকৌ ৰব চিন্তা কৰিছিলোঁ। তোমালোকৰ ডাক্তৰি পঢ়াৰ ৰব পৰিশ্ৰম নহয়নে?" "এবা আই এই কেইদিন ৰব ব্যাটৰ লগাত পৰিছে।" "অলপ বহা ইয়াতে বহাঁ, শেৱালী তই এতৰ লগত কথা বতৰা হ বদত আছিছে দেহী মই চাহ এটুকিকে কৰোঁগৈ।"

শেৱালীয়ে ক'লে "আই—তুমি বহা—ময়ে কৰি আনোঁগৈ।" মাকে কলে "এবা দুদিন মান হে ছেছে গাটো অলপ ভাল পাৰব মই তোমাক এতিয়া এই গৰমত দুহালৈ পঠাওঁ—নহয়?"

তাপসে চকী খন আগ বঢ়াই দি হাঁহি এটা মাৰি তেওঁৰ পিনে চাই কলে—বহা।

কিছুপৰ দুয়ো মনে মনে থাকিল। তাৰ পিছত তাপসে মাত লগালে—"তুমি ৰব ভয় ধুৱালা। নৰিয়া ইমান টান হ'ব বুলি মই ভবাই নাছিলোঁ। এতিয়াও তুমি ৰব দুৰ্ব্বল হৈ আছা নহয়?" শেৱালীয়ে লাহেকৈ মাত লগালে—"আজি মোৰ গাটো ৰব ভাল লাগিছে—। আৰু সৰহ দিন নালাগিব সম্পূর্ণ ভাল পাৰলৈ। পিছে আপোনাৰ পঢ়াশুনা কেনে চলিছে?" তাপসে উত্তৰ দিলে "পঢ়িছোঁ নিয়মমতে, জানো কি হয়। আৰু পৰাটোৱেই তো মানুহৰ একমাত্ৰ উদ্দেশ্য নহয়। আৰু বহুত আন interest মানুহৰ আছে।" এই বুলি কই তেওঁৰ মুখৰ পিনে চাই এবাৰ হাঁহিলে। শেৱালীয়ে ধুনীয়া মিচিকিয়া হাঁহি এটি মাৰি কলে "আৰু নো কিহৰ interest আছে আপোনাৰ?"

তাপসে কথাষাৰ ঘুবাবৰ ছলেৰে সুধিলে "বাৰু আজি এনে সময়ত অহাত তোমাৰ অকণো আচৰিত লগা নাইনে?" "এবা আজি মোৰ মনে শীলালৈহে বাট চাই আছিল। সেই বাবে আপোনাক হঠাৎ দেখি আচৰিত হৈছিলোঁ। এবাৰ কিন্তু ভাবিছিলোঁ আপুনি বহুত দিন অহা নাই বুলি। আপুনি অহাত আকৌ বেয়া পাইছোঁ বুলি নাভাবিব দেই। এ—আয়ে চাহ আনিলেই" শেৱালীয়ে মাকক অহা দেখি উঠি গৈ মাকৰ হাতৰ পৰা চাহৰ পিয়লা আৰু জলপান বিনি লৈ তাপসৰ পিনে আগ বঢ়াই দিলে। মাকে কলে "খোৱা বোপাই যি পালো তাকে কৰি আনিছোঁ।"

"আই মই সকলো খাম—আপুনি ব্যস্ত নহ'ব।"

মাক যোৱাৰ পিছত শেৱালীয় সুধিলে "আপুনি মোৰ

কথাৰ উত্তৰ দিলিলে ?" তাপসে লাহেকৈ হুমুনিয়া পেলাই কলে—"নাই সময় এতিয়াও হোৱা নাই—কেতিয়াবা এদিন কম। আজি আন কথাকে পাতো দিয়া।"

কিছুপৰ চুচাঁ মনে মনে বহি আছে এনেতে দেখে শীলা আৰু অমীম আহিবলৈ ধৰিছে। শেৱালীয়ে ততাতৈয়াকৈ উঠি গৈ অমীমক সাৱটি ধৰি কলে "অমীম তোমাৰেই ইমানপৰ বৈ আছিলো কেলৈ নাহিলা তুমি, বৰ চুই নহয় ?" সক সক আঙুলীৰে শেৱালীৰ হাতখন টিপি অমীমে ক'লে—"মাহী মা জনীয়ে বোলে আজি মোলৈ কিবা চিলাই কৰি আছিল—ইমানকৈ কৈছিলো সোনকালে আহিবলৈ। মা জনী বৰ বেয়া—নহয় ?" শেৱালীয়ে অভিমান ভৰা চকুৰে শীলাৰ পিনে চাই কলে—"এবা বৰ বেয়া।"

তাপসে শীলাক দেখি খিন হৈ কলে—"ভালেই হ'ল আজি আহিলে, শেৱালীয়ে আপোনাৰ কাৰণে বৰ ব্যস্ত হৈ আছিল।" শীলাই কলে "মই ৰবকৈ বিচাৰিছিলো সোনকালে আহিবলৈ। জানো মই শেৱালীৰ বৰ খং উঠিছে মোৰ ওপৰত।" তাপসে শেৱালীৰ পিনে চাই হাঁহিবলৈ ধৰিলে।

এনেতে অমীমে ক'লে "মাহী—এয়া কাৰ ফুল ? শেৱালীয়ে অমীমৰ মুখত হাত চুবাই কলে তোমাৰ ময়না, মই তোমালৈকে থৈ দিছিলোঁ।"

অমীমে সগোৰবে ফুল খিনি হাতত লৈ তাপসৰ পিনে চাই হাঁহিলে—। তাপসে তাক ওচৰলৈ মাতি আনি কোলাত বহুৱাই সুধিলে—"মোক তোমাৰ ফুল দিবানে ?" অমীমে ক'লে "ইস্ নিদিওঁ।"

এই কথা শুনি তেওঁলোক আটায়ে ৰবকৈ হাঁহিলে।

শীলাই ক'লে "ভালেই হ'ল বকৰা, কেটা মান দিনৰ পৰা আপোনাক লগ পাবলৈ বৰ মন আছিল। দৰ্কাৰী কথা এটাৰৈ। মই মোৰ লগত এটা চুখীয়া মাউৰা লৰা ৰাখিছোঁ। বৰ বোকা বুধিৰ। তাক পঢ়ুৱাৰৰ খৰচৰ বাবে অসুবিধা হোৱাত মোক ৰাতিপুৱাৰ এটা টিউচনী যোগাৰ কৰি দিব পাৰিবনে ?" তাপসে ক'লে "বৰ ভাল কথা। আপুনি ইমান চুখ কৰিব নালাগে। আমাৰ সমিতিৰ কেবাটাও উদ্দেশ্যৰ মাজত ই ও এটা।"

ইমান পৰ শেৱালীয়ে মনে মনে শুনি থাকি গহীনকৈ মাত লগালে—"মই এটা কথা কওঁ, নীলা তুমি মোৰ উদ্দেশ্য জানিও কেলৈ নজনা ভাও ধৰিছা ? মই ঠিক এনেকুৱা লৰা এটাই বিচাৰিছিলো যাক মোৰ ভাইৰ নিচিনাকৈ শিক্ষা দি তাক অকল academic ploretariate নকৰি স্বাস্থ্যৱান ডাঙৰ artist এজন কৰি তুলিম।"

তাপসে খুৰ উদাসীন সুৰেৰে কলে "বৰ ভাল কথা শেৱালী। এই বিষয়ে মোৰো একে মত। আমাৰ দেশত artist ৰ বৰ অভাব। artist হবলৈ হলে খুৰ সুন্দৰ স্বাস্থ্যও লাগে। এই বিষয়ে বাৰু আৰু এদিন আলোচনা হব," ঘৰীৰ পিনে চাই তাপসে কলে "এটা বাজিলেই, আজি আমাৰ ক্লাবৰ মিটিং এখন আছে যাব লাগিব, সময় নাই বেয়া লাগিব। মই আজিলৈ আহোঁ।" এই বুলি কৈ তেওঁ উঠিলে।

শীলাই তেতিয়া কলে "এটা অনুৰোধ কিন্তু আপুনি ৰাখিব লাগিব। অহা বুধবাৰে মোৰ তাত আপোনাৰ চাহৰ নিমন্ত্ৰণ। সকলো কাম কাতি কৰি গৈ অলপ সময়ৰ কাৰণে হলেও আহিবই লাগিব।"

"অ নিশ্চয় যাম।" বুলি কৈ তেওঁ গুচি গল।

তাপস যোৱাৰ পিছত শীলাই মিচিক কৈ হাঁহি এটা মাৰি কলে "বলা শেৱালী তোমাৰ কোঠালিটোলৈ, বিছনাত বহি কথা পাতিবলৈ বৰ ভাল লাগে।" কিছুপৰ শেৱালী মনে মনে থকাত শীলাই শেৱালীৰ হাতখনত ধৰি সুধিলে "শেৱালী তুমি মোৰ ওপৰত খং কৰিছা নহয় ? মই নাহিলো, এনেয়ে মনটো বৰ গধুৰ হৈ আছে। যদিও মোৰ অন্তৰৈ তেতিয়া তোমাক ৰবকৈ বিচাৰিছিল কিন্তু তপাগি নিজক সংযত কৰি নিজক পৰীক্ষা কৰিবৰ কাৰণেই পলম কৈ আহিলোঁ।"

কিছুপৰ মৌনা থাকি শেৱালীয়ে কলে "শীলা সকলো বুজা—অথচ মোক চুখ দি ভাল পোৱা—নহয় ?" শীলাই

তেওঁৰ হাত খন নিজৰ হাতত সুমুৱাই কলে "মই তোমাক চুখ দি ভাল পাওঁ কিয় এনে কথা কোৱা ! মোৰ চুখী মনে তোমাক ইমান কৈ বিচাৰে দেখি ভয় হয় কেতিয়াবা তোমাক হেৰুৱাও বুলি। কাৰণ জানাই নহয় যিটো ৰবকৈ বিচৰা যায় তাক হেৰুৱা যাবো। সেইবাবে নিজক কেতিয়াবা সংযত কৰি চাওঁ—যদিও ইমান বৰ চুখ পাব লাগে।" শেৱালীয়ে লাহেকৈ শীলাৰ কোলাত মুৰটো থৈ নীৰবে চকুলো টুকি কলে,—"মোৰ ভাল পোৱাত তোমাৰ এতিয়াও ইমান সন্দেহ কিয় শীলা ?—"

(৮)

সন্ধিয়া—শীলাৰ সক ঘৰটোৰ আগফালৰ ফুলনি খনতেই এখন সক চাহৰ মেজ—ওচৰতেই চুখনমান চকী। শীলাই বান্ধনি ঘৰৰ পৰা ওলাই আছি—তাপস আৰু শেৱালীলৈ বৈ আছে। আজি তেওঁলোক চাহ খাবলৈ আহিব কথা। এনে সময়ত অসীমে লৰি আহি কলে "আই মাহী আহিছে, এয়া মোক কি দিলে চোৱা।" শীলাই আগে বেগে শেৱালীৰ ওচৰলৈ আহি হাঁহি সুধিলে—"তাক নো তোমাৰ সদায় চকলেট খুৱাৰৰ মন যায় কেলেই শেৱালি ? চুগন্ধীয়াই আহিবলৈ কৈছিলোঁ নহয় ইমান দেৰী কৰিলা কেলেই ?"

শেৱালীয়ে হাঁহি কলে "আয়ে গামোছাখনৰ ফুলটো শেষ কৰি তুলি থৈ আহিবলৈ কোৱাত পলম হ'ল—তোমাক একো সহায় কৰিব নোৱাৰিলোঁ—বেয়া পাইছা নেকি ?"

"কিহৰ নো ইমান যোগাৰ কৰিছে শীলাদেউয়ে যে সহায় লগা হ'ল ?"—এই বুলি কৈ শীলা আৰু শেৱালী বহি থকা কোঠালিটোলৈ হাঁহি হাঁহি তাপস বকৰা সোমাই আছিল।

মাতবাৰ শুনা মাত্ৰেই শেৱালীৰ ধুনীয়া মুখখনি কোনো এক নজনা আনন্দৰ শিহৰণিত ৰাঙলী হৈ উঠিল—শীলাৰ চকুত শেৱালীৰ এই পৰিবৰ্তন ধৰা পৰিল। লাহেকৈ শেৱালীৰ পিনে চাই চুহাসিৰ হাঁহি এটা মাৰি ক্লাৰ পিছত তাপস বকৰাৰ ওচৰলৈ আহি কলে "মেই হওক আপোনালোক আহিলে, মোক আনন্দ দিবলৈ।"

তাপসে কলে "আনন্দটো অকল নিদিওঁ শীলাদেৱী, আনন্দ গ্ৰহণও কৰিম—তাৰ কাৰণেই উধাতু খাই লৰি আছিছোঁ—" এই বুলি কৈ শেৱালীৰ পিনে চালে। শেৱালীয়ে তলমুৱ কৈ অসীমৰ মুখত হাত চুবাই দিবলৈ ধৰিলে।

শীলাই শেৱালীক কলে—"শেৱালী, বকৰাক ফুলনিতেই বহুৱাচোন। মই বান্ধনিঘৰৰ পৰা এবাৰ আহোঁগৈ।"

শেৱালীয়ে তাপসৰ পিনে চাই কলে "বলক"।

"বাঃ বৰ সুন্দৰ ঠাইডোখৰ—শীলাদেৱীৰ সঠাকৈয়ে Taste আছে—নহয়নে শেৱালি !"

"নিশ্চয় মোৰ বন্ধুৰ Taste নাথাকিলে থাকিব কাৰ ?" এই বুলি—কৈ শেৱালীয়ে হঠাৎ গহীন হৈ গল'। আজি শেৱালীৰ অস্বাভাৱিক গহীনতাত আচবিত হৈ তাপসে সুধিলে—"শেৱালি গহীন হ'লা দেখোন। কি হৈছে ?"

"একো হোৱা নাই—"এই বুলি কৈ আকৌ গহীন হ'ল তাপসে আকৌ অলপ পৰ নিতাল মাৰি থাকি কৈ উঠিল "কোৱাচোন।" "কব নোৱাৰো কিয় আজি কিছুদিনৰ পৰা কিছুখান ভাবৰ চোৰে মোৰ মনৰ মাজত খলকনি লগাই অস্থিৰ কৰিছে। আপুনি নিশ্চয় বুজিছে তাৰ প্ৰধান কাৰণ কি।"

তাপসে অলপ আওকণীয়া ভাবে থাকি হঠাৎ সুধিলে—"এটা কথা, মোক ভুল চুবুজিবা দেই। কেবাদিনৰ পৰা মোৰ সুধিবৰ মন আছিল। আজি এনেকুৱা এটা অৱস্থাত আমি আহি পৰিছোঁ—যে নকৈ নোৱাৰোঁ। মনৰ প্ৰবল ইচ্ছাক আৰু বোধ কৰিব নোৱাৰি। বাৰু শেৱালি, তুমি Spiritual love বিশ্বাস কৰানে ?"

শেৱালি হঠাৎ চমকি উঠিল—কিবা এটা অব্যক্ত লাজৰ আৱেগত তেওঁৰ মুখখনি বঙ্গা হৈ উঠিল, সুধিলে "কিয় ? মোৰ মনত হয়, একেবাৰে অসম্ভৱ নহয়। যদিও জীৱনৰ গুৰ উচ্চ আদৰ্শ গ্ৰহণ কৰিবলৈ ই উদগণি

দিয়ে—তথাপি কিন্তু সাধাৰণৰ পক্ষে ই বৰ টান।" তাপসে কলে—"মোৰ মনেৰে Spiritual love বোলা বস্তুটো একোৱেই নহয়—মোৰ মতেৰে transformation of love from its obiect to something higher one."

শেৱালীয়ে কলে "যেতিয়া নিজৰ ভালপোৱাজনক বিশ্বৰ সুৰৰ, ছবিৰ, ছন্দৰ মাজত প্ৰতিবিম্বিত হোৱা দেখা পোৱা যাব—সেইটোৱেই হব অদ্বিতীয় সুখ। ভালপোৱাৰ পাত্ৰজন সকলোৰে হৈ এজনৰ হৈ থাকিব লাগে, প্ৰকৃত সুখ এইখিনিতেই। সামান্য প্ৰবৃত্তিৰ দাস হৈ ভালপোৱাকতো ভালপোৱা বুলিব নোৱাৰি।" এওঁলোকৰ এই সম্বন্ধে কথা-বতৰা আৰু বিশেষ আগ বাঢ়িব নোৱাৰিলে। এই সময়তেই শীলাই শেৱালীক মাতি পঠালে চাহৰ যোগাৰ কৰিবলৈ।

তাপস বৰুৱাক চাহ একাপ ঢালি দি নিজৰ থালখন ওচৰলৈ লৈ আনি শীলাই কলে "বৰুৱা, কিহৰনো আলোচনা হৈছিল, মোকো ভাগ নিদিয়েনে? "ভাল কথা—মই আপোনাক সুধিবলৈ বাট চাই আছিলোঁ। Love সম্বন্ধে বাৰু আপোনাৰ ধাৰণা কি?" কথাষাৰ শুনি শীলাৰ মুখখনি হঠাৎ গহীন হৈ গ'ল। কিবা এটা যেন অজ্ঞাত দুঃখৰ ছাঁয়ে তেওঁৰ মনটোক দূৰ অতীতলৈ লৈ গল। ঠিক এনেকুৱা প্ৰশ্ন শুনিছিল তেওঁ আৰু এদিন আৰু এজনৰ পৰা। কিন্তু কি পৰিবৰ্ত্তন। সেই দিনা—আৰু আজি।

সৰুকৈ হুমুনিয়া এটি পেলাই নিজক সংযত কৰি শীলাই কলে—"love সম্বন্ধে সুধিছে? মোৰ নিজৰ মত শুনি উচপ খাই নুঠিব দেই বৰুৱা। মোৰ মতেৰে প্ৰেম এটা মোহ, এটা ভ্ৰান্তি। ভুলৰ বাটেৰে লৰি ফুৰিবৰ ই এটা প্ৰশস্ত উপায়। অৱশ্যে ইয়াৰ অস্তিত্ব সম্বন্ধে একেবাৰে উৰুৱাই দিব নোৱাৰোঁ। মই মাথোন মোৰ নিজৰ মতটোহে এইখিনিতে জনাই থলো।"

"পোনতেই ইমান linically আৰম্ভ নকৰিবছোন শীলাদেৱী।"

কথাষাৰ শুনি শীলাই অন্তৰ খুলি হাঁহি এটি মাৰি ক'লে—"বাৰু কওঁ শুনক। ভালপোৱাৰ অৱস্থা আছে স্তৰ বিশেষে। ইয়াক physical বা spiritual দুটাই কব পাৰি। লৰা আৰু ছোৱালীৰ ভিতৰত যি ভালপোৱা ইন্দ্ৰিয় সুখত মাথোন আবদ্ধ থাকে তাক মই physical love বুলি কওঁ। কিন্তু এই ইন্দ্ৰিয়ৰ ভোগেই মানুহৰ প্ৰকৃত ভোগ নহয়। এই ভোগক আৰু সুন্দৰ, আৰু অনাবিল পবিত্ৰতাৰ মাজেদি লৈ যাব পাৰি যদি তাত spiritual ভোগৰ উদ্দেশ্য থাকে। আৰু এই spritual ভোগ টোকেই মই কওঁ spiritual love. Spiritual love মানে মই অৱশ্যে নকওঁ যে ইয়াত শৰীৰৰ কোনো সম্বন্ধই নাথাকিব। কিন্তু শৰীৰেই মুখ্য কৰ্ম্ম নহয়। স্ত্ৰী পুৰুষৰ পৰস্পৰৰ সম্ভোগৰ ইচ্ছাটোকে spiritualize কৰিব পৰা যায়। তাৰ কাৰণে বৈষ্ণৱ আৰু তান্ত্ৰিক বিলাকৰ ভিতৰত এটা science বোধকৰোঁ আছে। ৰাধা—কৃষ্ণৰ প্ৰেমেই ভোগৰ মাজেদি ত্যাগৰ চানেকী নহয় জানো?"

তাপসে কলে "শীলাদেৱী আপোনাৰ লগত মোৰ মত একে। যেতিয়ালৈকে মোৰ ভালপোৱাৰ পাত্ৰীৰ লগত মোৰ নিজত্বক এক কৰি দিব নোৱাৰিম—যেতিয়ালৈকে মোৰ নিজৰ ছাঁ সম্পূৰ্ণভাবে তেওঁৰ মাজত নেদেখিম তেতিয়ালৈকে কেতিয়াও মই তেওঁক প্ৰকৃতভাবে ভাল পাব নোৱাৰোঁ। মই মোৰ ভালপোৱাৰ পাত্ৰীক ভাল পাওঁ কাৰণ মই নিজকে নিজে ভাল পাওঁ। উপনিষদতো ইয়াকেই কৈছে নহয় জানো?"

ইমান পৰ খুব মনযোগেৰে সিহঁতৰ আলোচনা শুনি শেৱালীয়ে কৈ উঠিলে—"এ ৰাতি ভালেখিনি হল।"

ঘৰীৰ পিনে চাই তাপসে ক'লে "ভালেই হ'ল শেৱালী মনত পেলাই দিলা। মোৰ ঠিক এই ৭ বজাতেই বৰ লাগতীয়াল মিটিং এখন আছে। যাব লাগিল বাৰু উঠো তেন্তে। এই আলোচনা আৰু এদিন হ'ব শীলাদেৱী আপোনাৰ লগত।"

[৯]

বহুদিন পাৰ হৈ গল।

আজি কেদিনমানৰ পৰা শেৱালীৰ জ্বৰ। শীলাই

ৰাতিয়ে দিনে বন্ধুৰ শিতানত বহি সেৱা কৰিবলৈ ধৰিছে। আজি ডাক্তৰে তেজ পৰীক্ষা কৰি কলে serious typhoid,

মূৰত বৰফৰ বেগটো থৈ এহাতে বিছনিৰে বিছি মনে মনে জীৱনৰ একমাত্ৰ বন্ধুৰ আৰোগ্যৰ কাৰণে মঙ্গলময়ৰ ওচৰত প্ৰাৰ্থনা জনাই নীৰৱে প্ৰাৰ্থনা কৰি আছে। এনেতে লাহে লাহে তাপস বৰুৱা ৰোগীৰ ওচৰলৈ আহি, ৰোগীৰ শেতা পৰি যোৱা মুখ খনিলৈ চাই থাকি সৰুকৈ হুমুনিয়াহ এটা পেলাই লাহে কৈ শীলাক সুধিলে ডাক্তৰে কি ক'লে?

শীলাই গহীনকৈ chart খন দেখুৱাই দিলে।

ইকাতি সিকাতিকৈ বহুত পৰ থাকি অতি ক্ষীণ সুৰেৰে শেৱালীয়ে কলে "শালা—ব—ৰ—ফ।"

শীলাই তাপসৰ হাতত বৰফৰ বেগটো দি ওচৰৰ কোঠালীটোৰ পৰা বৰফ এডোখৰ ভাঙ্গি আনি শেৱালীৰ মুখত ভৰাই দি সুধিলে "ভাল পাইছানে শেৱালি?" বৰফৰ টুকুৰা খাই লাহেকৈ চকু মেলি চাই কলে "আপুনি কেতিয়া আহিলে।"

"শেৱালি, মই কেতিয়াবাই আহিলোঁ। তুমি কেনে পাইছা?"

ক্ষীণ সুৰেৰে শীলাৰ পিনে চাই কলে "তুমি এতিয়াও খাবলৈ যোৱা নাই। কিয় কালি ৰাতিও টোপনি ক্ষতি কৰিছা নহয়।" "বাৰু যাম, এতিয়াই বৰুৱা বহিব তোমাৰ ওচৰতে বাৰু আহোঁগৈ দেই।" এই বুলি কৈ তাপস বৰুৱাৰ পিনে চাই কলে "আপুনি অলপ বহক তেন্তে।"

শীলা যোৱাৰ পিছত তাপসে বহুত পৰ শেৱালীৰ পিনে চাই থাকিল। শেৱালীৰ চকুৰ কোণেৰে দুটোপা লোটক বাগৰি গল। তাপসে শেৱালীৰ বাগৰি যোৱা চুকলো দুটোপা মছি কলে "শেৱালি, বেজাৰ কৰিছা কেলৈ! ভাল হবা নহয়।" এই বুলি কৈ তলমূৰ কৈ শেৱালীৰ মূৰত হাত ফুৰাই থাকোঁতেই শেৱালীয়ে আকৌ ক্ষীণ সুৰেৰে মাত লগালে "আপোনাক আজি তুমি বুলিবৰ বৰ মন গৈছে। আজি মোক অন্তৰ খুলি কথা কবলৈ দিয়ক। ভাগৰি নাযাওঁ।"

"কথা কবৰতো আৰু বহুত দিন আহিব শেৱালী, আজি বৰ দুৰ্ব্বল হৈ আছা নালাগে কব। বিশ্ৰাম লোৱা।"

"বিশ্ৰাম! বিশ্ৰাম মই লম কি জানি চিৰকাললৈয়ে।"

এই কথা শুনি আবেগৰ সুৰেৰে শেৱালীৰ হাত দুখনি তাপসৰ বুকুৰ মাজত সুমাই কলে "ইমান কঠোৰ নহবা শেৱালি।" শেৱালীয়ে দীঘলীয়া হুমুনিয়া এটি পেলাই অলপ পৰ মনে মনে থাকি কলে—"কঠোৰ হৈছিলো তাপস এদিন, কিন্তু আজি নহয়। মনত আছেনে সন্ধিয়া সেই বিশাল লুইতৰ পাৰত বহি তুমি যিদিনা বাহী বজাইছিলা সেইদিনা তুমি মোক সুধিছিলা 'তুমি মোৰ হবানে শেৱালি।' মই তেতিয়া বৰ নিষ্ঠুৰৰ নিচিনাকৈ কৈছিলো 'নোৱাৰিম, বাধা আছে।' সময় আজি আহিছে। কি সেই বাধা আছিল কওঁ শুনা।" এই বুলি অলপ পৰ তেওঁ বিশ্ৰাম ললে। তাপসে ডালিমৰ ৰস অলপ মুখত দি কলে "আৰু অলপ খোৱা—।" শেৱালীয়ে কলে—'নহয় মোক আজি কবলৈ দিয়া। মোৰ মনে আজি নিঃস্ব হৈ কবলৈ বিচাৰিছে মোৰ অন্তৰৰ বাতৰি। এই বাধাৰ মূল কি জানানে? বন্ধুৰ কাৰণে ত্যাগ। জানা, শীলা আজি কিমান দুঃখিনী! এই দুখৰ আৰু কঠোৰতাৰ মাজেদি যি অলপ সুখ পাইছে মোৰ পৰাই। মোৰ এই সামান্য ত্যাগে তেওঁক সুখী কৰিব এই ভাবিয়েই তোমাক পাইও গ্ৰহণ কৰা নছিলো। শীলাই প্ৰাণ ভৰি ভালপোৱা দিও জীৱনত স্বামীৰ পৰা ভাল পোৱা নাপালে। পিছত বুকুৰ ধন অসীমেও এদিন এৰি থৈ গ'ল। উস্ অসীমৰ কথা আৰু ভাবিব নোৱাৰোঁ। সেই শূন্য আসন পূৰাবৰ অধিকাৰ পৰিল মোৰ ওপৰত! সেইবাবেই মোৰ জীৱনৰ ব্ৰত হৈছিল ত্যাগ। তোমাৰ ভাল পোৱাই মোৰ এই ত্যাগৰ বাট আৰু উজু কৰি দিলে তাপস। তুমি মোক দিলা ত্যাগৰ সন্ধান। শান্তি পাম মই আজি এই ত্যাগৰ মাজেদি। তাপস—গীতাৰ সেই কথাষাৰ আজি মোৰ ঘনাই কেলেই মনত পৰিছে? আত্মাৰ মৰণ নাই। নমৰে কোনেও। মৃত্যুই শাৰীৰিক বন্ধনৰ পৰা মুক্তি দিব পাৰে কিন্তু আত্মাৰ মিলনত

ব্যাঘাত জন্মাব নোৱাৰে। উস্ আৰু নোৱাৰোঁ। বৰ ভাগৰ লাগিছে।" এই বুলি কৈ তেওঁ ক্লান্ত হৈ শুই পৰিল। তাপসে নীৰলে চকুলো টুকি তেওঁক বিচিবলৈ ধৰিলে।

(১০)

আজি দিনটো জৰেও অলপ শাম কাটিছে, শেৱালীৰ অৱস্থা আন দিনাতকৈ অলপ ভাল। শীলাইও শান্তিৰ নিশাহ পেলাই ভগৱানৰ ওচৰত আবেদন জনাই গোহাঁই ঘৰৰ পৰা ওলাই আহি শেৱালীৰ মূৰ শিতানত বহি লাহেকৈ তেওঁৰ মূৰত হাত ফুৰাই সুধিলে "শেৱা, অলপমান ডালিমৰ ৰস খোৱা" শেৱালীয়ে কলে "শীলা তুমি আহিছা?" এই বুলি কৈ শীলাৰ হাতখন নিজৰ বুকুত লৈ লাহেকৈ মুখখন মেলি দিলে— "আৰু দিয়া হেপাহ পলুৱাই থুৱাই লোৱা"।

"শেৱা! তুমি কেলেই বাৰে বাৰে তেনেকৈ আছা, ডাক্তৰে ভাল হবা বুলি কৈছে নহয়।"

শেৱালীয়ে কাঠ হাঁহি মাৰি কলে "ভাল হম? কোনে কৈছে?"

শীলাই ওপৰলৈ চাই মনে মনে ভগবানক প্ৰাৰ্থনাৰ সুৰেৰে কলে "ভগৱান! কিমান আৰু তোমাৰ পৰীক্ষা আছে?" এটি এটিকৈ জীৱনৰ দুঃখৰ স্মৃতিবোৰ মনৰ পটত তেওঁৰ ক্ষন্তেকৰ কাৰণে ভাহি উঠিল।

* * * *

দুপৰীয়া শীলাই শেৱালীৰ গা মছি ভালকৈ সজাই দিবলৈ ধৰিছে। শেৱালীয়ে কলে "শীলা সেই গোলাপী কাপোৰ জোৰ বৰ ভাল পাইছিলা নহয়? আজি পিন্ধাই দিয়া, মই গাটো বৰ ভাল পাইছোঁ।" শীলাই হাঁহি কলে—"আজি তোমাক মই প্ৰাণভৰি সজাম—ভগৱানৰ ওচৰত কৃতজ্ঞতা জনাইছোঁ—যে তেওঁ মোক আজি অকণ আনন্দৰ পৰা বঞ্চিত কৰা নাই।"

শীলাৰ বাবে শেৱালীয়ে সকলো বিলাসীতা এৰি দিছিল। আজি শীলাক তেওঁক সজোৱাত সম্পূৰ্ণ স্বাধীনতা দিলে। কব নোৱাৰি মনস্তত্ত্বৰ ই কি এক জটিল সমস্যা!

কাণত সোণৰ ধুনীয়া কেৰুজোৰ, হাতত মিনা কৰা খাৰু জোৰ, ডিঙ্গিত গলপতাধাৰ পিন্ধাই দি কপালত চন্দনৰ ফোট এটা দি শীলাই হাঁহি কলে—"কি সুন্দৰ লাগিছে তোমাক আজি। কেনে ৰূপহীটি সাজিছা তুমি!" এই বুলি কৈ শেৱালীৰ ওঠত লাহেকৈ চুমা এটি দিলে। শেৱালীৰ চকুৰ কোণেদি দুধাৰি চকুলো শীলাৰ গালেদি বাগৰি পৰিল।

* * * *

মাজ নিশা। হঠাৎ শেৱালীয়ে সাৰ পাই দেখে— শীলা তেতিয়াও শিতানত। শীলাৰ হাতখন নিজৰ বুকুৰ মাজত থৈ কলে "বৰ শান্তি শীলা! শান্তিৰ সুৰ আজি মই শুনিছোঁ— উষালৈ আৰু কিমান সময় আছে? সৌৱা বহুদূৰৰ স্বৰ্গীয় পোহৰ এটা মই দেখা পাইছোঁ। সেই পোহৰত অকল শান্তি, অকল আনন্দ! আনন্দৰ সাগৰত পোহৰৰ খেলা। শীলা মোক আৰু ধৰি নাৰাখিবা—এৰি দিয়া?"

লাহে লাহে নিশাদেৱীৰ বিদায় ক্ষণত বহল আকাশৰ মাজত উষা আৰু অৰুণৰ মিলন খেলা আৰম্ভ হ'ল। পূব পিনে অৰুণৰ পৰশত উষাৰ লাজৰ ৰক্তিম আভাই গোটেই আকাশ ছাতি পেলালে। পুৱাৰ চৰাইয়ে জগতক মাঙ্গলিক প্ৰভাতী সুৰেৰে এই শুভমিলনৰ বতৰা জনালে।

ঠিক এনেকুৱা সময়তেই খিৰিকিয়েদি বহল আকাশৰ পিনে চাই শেৱালীয়ে হঠাৎ চিঞৰি উঠিলে—"শীলা— —তাপস -যা—ও—মু—ক্তি"

শীলাই উছপখাই উঠি শেৱালীৰ বুকুত পৰি বন্ধুৰ ধুনীয়া মুখখনিলৈ চাই মুছকছ গ'ল।

ঠিক এনে সময়তেই তাপসে দুৱাৰ মেলি শেৱালীৰ ধুনীয়া স্বৰ্গীয় আভাসেৰে ৰঞ্জিত মুখখনিলৈ শেষবাৰৰ কাৰণে চাই কৈ উঠিল—"শেৱালি ফাঁকি দিলা?—ক'ত শান্তি?"

বহল আকাশৰ পৰা পুৱাৰ চৰাইৰ গীতত গহীন নীৰবতাৰ মাজৰ পৰা একেটি সুৰেই বাজি উঠিল।

"ওঁ, শান্তি"

দাক্ষিণাত্যৰ মথুৰা মাদুৰা নগৰৰ ইতিবৃত্ত

শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা বি-এ

আমি সাধাৰণতে কাশী, মথুৰা আদি ঠাইৰ নাম ললে আমাৰ কেৱল উত্তৰ ভাৰতত থকা বেনাৰস মথুৰা আদি ঠাইলৈহে মনত পৰে। কিন্তু দাক্ষিণাত্যৰ ভিতৰতো মথুৰা আৰু কাশী যে আছে এই কথা দাক্ষিণাত্য ভ্ৰমণ নকৰা মানুহে কব নোৱাৰে। সেই কাৰণত দাক্ষিণাত্য ভ্ৰমণত গৈ ভ্ৰমণকাৰী সকলে এই নাম কিটা প্ৰথমতে উত্থাপন কৰা শুনিলে অলপ আচৰিত হব লগাত পৰে। পিছতহে জানিব পাৰি যে তাতো কাশী মথুৰা আদি তীৰ্থস্থান আছে যি বোৰৰ নাম প্ৰায়েই উত্তৰ ভাৰতৰ নামত লগত মিলি যায়। উত্তৰ ভাৰতৰ কাশীৰ দৰেই দক্ষিণাত্যতো কাঞ্চি পুৰম (যাক ইংৰাজীত Congeebaram বোলে) আৰু সেই দৰেই মথুৰাৰ দৰে দাক্ষিণাত্যৰ মযুৰা (যাক ইংৰাজীত Madura বোলা হয়) নামৰ তীৰ্থ ক্ষেত্ৰ আছে। এই দুয়োখন তীৰ্থস্থানেই হিন্দুৰ অতি পৱিত্ৰ স্থান। এই দুখন তীৰ্থস্থানৰ ভিতৰত এখনৰ অৰ্থাৎ কাঞ্চিপুৰমৰ বৰ্ণনা আগেয়ে ওলাই গৈছে। এতিয়া মাদুৰাৰ বিবৰণ দাঙি ধৰা হব।

অতি প্ৰাচীন কালৰেপৰা দাক্ষিণাত্যৰ ভিতৰত মথুৰা নগৰ ৰাজকীয় আৰু ধৰ্ম্ম সম্বন্ধীয় কাৰ্য্যৰ প্ৰধান কাৰ্য্য স্থল আৰু ৰাজধানী আছিল। বৰ্ত্তমানো ই মান্দ্ৰাজ প্ৰেচিডেঞ্চিৰ ভিতৰত দ্বিতীয় নগৰ হৈ আছে। পুৰণি কালৰ পাণ্ড্যান ৰজাবিলাকৰো ৰাজধানী হৈ বহুত দিনলৈকে এখন সাৰ্ব্বজনীন নগৰ হৈ আছিল। আৰু সেই কাৰণেই আজিও এই নগৰক পূৰ্ব্বৰ এথেন্স (Athens of the east) বুলি জনাজাত হৈ আছে। খৃঃ দ্বিতীয় শতাব্দীতে বংশশেখৰ নামে এজন ৰজাই ইয়াত এটা প্ৰথম বিশ্ববিদ্যালয়ৰ খুলিছিল আৰু সেই বিদ্যালয় খৃঃ অষ্টম শতাব্দীলৈ জীৱিত অৱস্থাত আছিল। কাঞ্চি পুৰমৰ দৰেই মাদুৰা নগৰো এসময়ত তামিল আৰু সংস্কৃত শিক্ষাৰ কেন্দ্ৰস্থান আছিল। বৈ গৈ নৈৰ পাৰত থকা এই মাদুৰা নগৰ এসময়ত গ্ৰীক আৰু ৰোমান সকলৰ মাজত জনাজাত আছিল আৰু সেই বিষয়ে তেওঁলোকৰ অনেক লিপিতো উল্লেখ পোৱা যায়। তেওঁলোকৰ মাজত এই নগৰ (Region Pandionis) নামে জ্ঞাত আছিল। আৰু ইয়াকো



সোণৰ পদুম পুখুৰী আৰু ওচৰত গৌপৰম্—(মাদুৰা)

জনা যায় যে এই ৰাজ্যৰে কোনো এজন ৰজাই খৃঃ পূঃ ২৭ শকতে আগষ্টচ (King Augustus) ৰজাৰ ওচৰলৈ এজন কটকীও পঠাইছিল। সেই দৰেই ৰোমান সকলৰ লগত যে এসময়ত এই ৰাজ্যৰ বেহাবেপাৰ চলিছিল তাৰ প্ৰমাণ হিছাবে এই বৈগৈ নৈৰ বুকুত তামৰ ৰোমান মোহৰ পোৱা গৈছিল। এইবোৰ তথ্যৰ পৰা প্ৰমাণ হয় যে বহু দিনৰ আগৰে পৰা মাদুৰা নগৰ পৃথিবীৰ ভিতৰত জনাজাত হৈ আছে। ইয়াৰ লগতে দেখা যায় যে মাদুৰাৰ নিচিনা পৃথিবীৰ কোনো ঠাইতে একে লেঠাৰীৰে ইমান দিন ধৰি প্ৰসিদ্ধ প্ৰসিদ্ধ ৰজাই ৰাজত্ব কৰি যোৱা দেখা পোৱা নাযায়,

কারণ পাণ্ড্যান রাজ্য খৃষ্ট জন্মর আগবে পরা বিজয় নগর বংশর আগমনলৈকে অর্থাৎ খৃঃ ১৭ শতাব্দীলৈকে বর্ত্তমান আছিল।

পুথবি ইতিহাস বিষয়ে লিপিবদ্ধ আছে যে প্রাচীন কালত মাদুরা নগর দেরালেবে আবৃত্ত এখন ডাঙর নগর আছিল।' কিন্তু খৃঃ ১৪ শতাব্দীর মুছলমান সকলে এই নগর আক্রমণ করি দেরাল, দুর্গ আৰু প্রাচীন কীর্ত্তিবোর ভাঙ্গি মমিয়ৰ করে। বর্ত্তমান অবস্থিত মন্দির আৰু বাজ প্রাসাদ বোর খৃঃ ষষ্ঠদশ আৰু সপ্তদশ শতাব্দীত ৰাজত্ব করা বিশ্ববিখ্যাত নায়ক বংশর তিকমালা নায়কেহে নতুনকৈ সজাই দিছিল আৰু নতুনকৈ সজা মন্দির আৰু অট্টালিকা বোবেই আজিও সেই প্রাচীন কালর মাদুরার সৌন্দর্য্য বাৰি আছে।

মীনাক্ষী মন্দির :—বর্ত্তমান বেলষ্টেশ্চনর পরা পশ্চিমে প্রায় এমাইলমান গৈ পোরা প্রকাণ্ড মন্দিরটো দুটা ভাগে বিভক্ত :—দক্ষিণর ভাগটো সদাশিরর পত্নী "মীনাক্ষী" দেবীক উৎসর্গ করা হৈছে আৰু উত্তরর মন্দিরটো সদাশিরকেই উৎসর্গ করা হৈছে। এই মন্দির দুটাও "মীনাক্ষী" আৰু "সুন্দরেশ্বর" নামে অভিহিত। মীনাক্ষী মন্দিরবৈলে সোমাওঁতে দুৱার মুখতে "অষ্টলক্ষ্মীমণ্ডপম" (আঠ গবাকী লক্ষ্মীর মণ্ডপম) অর্থাৎ সম্পত্তির আঠটা উৎপত্তি স্থানর অধিষ্ঠাত্রী দেবীর মণ্ডপম্ পোরা যায়। তাতে সেই অধিষ্ঠাত্রী দেবীর এটি মূর্ত্তিও আছে। এই মূর্ত্তির ওপরতে মণ্ডপমর ছালগন বৈ আছে। সেই ছালর ওপরত মীনাক্ষী দেবীর জন্ম, সদাশিরর লগত হোরা বণ আৰু বিবাহ, পুত্র সুব্রামন্যর জন্ম, আৰু সদাশিরর ৰাজচক্রবর্ত্তীর প্রাপ্তি আদি দৃশ্যর বেলেগ বেলেগ মূর্ত্তি কটা আছে। এই মণ্ডপম পার হৈ গৈছেই এখন দুৱার পোরা যায় আৰু সেই দুৱার মুখতে বাৰ্ত্তফালে গণেশর মূর্ত্তি আৰু সোঁফালে ষষ্ঠমুখী সুব্রামন্যর মূর্ত্তি আছে। দুৱার পার হৈছেই এটা সরু বাট পোরা যায় আৰু সেই বাটেদি অলপদূর গৈছেই এটা ডাঙর মণ্ডপম পোরা যায়। এই মণ্ডপম নায়ক ৰজার এজন প্রধান মন্ত্রীয়ে সজাইছিল বুলি কয় আৰু ইয়াকেই মন্দিরর "হাতী-শাল" বোলা হয়।

এই মণ্ডপ পার হৈ গৈছেই এখন পিতলর প্রকাণ্ড দুৱার পোরা যায়। সেই দুৱারত অসংখ্য বস্তি অলাবর যোগান আছে আৰু বাতি দেই বস্তি বোর জলালে দেখিবলৈ মনোরম হৈ পবে। এই দুৱারবন শিৱগঙ্গার জমীদারে দান করা বুলি কয়। ইয়ার পিছতে এটা অন্ধকুপ মণ্ডপম্ত সোমাব লাগে। তাত সদাশিরর বেলেগ আকারর মূর্ত্তিবোর শাবি পাতি পোরা হৈছে। এই মণ্ডপম পার হৈছেই "পোতামবাই" অর্থাৎ সোণ পদুমর পুখুরী পোরা যায়। পুখুরীর চাবিওফালে ঘেরি থকা দেরালত সদাশিরর ৬৪ অৱতারর বর্ণনা আৰু অন্য অন্য পৌরাণিক সাধু কথার লিপি আছে। উৎসবর সময়ত সমবেত হোরা সাধারণ মানুহবোবর ধর্ম্মশিক্ষার অর্থেই এইবোর কথা এনেদরে লিখা হৈছিল। তার পিছত পশ্চিমলৈ



"মীনাক্ষী" মন্দিরর ভিতরলৈ সোমাওতে পোরা দুৱার মুখ

ঘুরি পুবফালর বেদি গলেই দর্শক সকলে দেৱীর ওপরত থকা সোণর "বিমান" অর্থাৎ ঢাকনিখন দেখিবলৈ পায় আৰু দক্ষিণফালে ঘুরি গলে "সুন্দরেশ্বর" ওপরত থকা সোণর চন্দ্রাতপখন দেখিবলৈ পোরা যায়। বেৰা পার হৈ গলেই দক্ষিণ দুৱার মুখ পায়। এই দুৱারর কারুকার্য্য চাবলগীয়া। সেইবেই পুবমুৱাকৈ ঘুরি পশ্চিমর বেৰাইদি যাব পাবি আৰু সেই বেৰাইদি গলেও কিছুমান মূর্ত্তিরে ঘেরি থকা বিখ্যাত "সুন্দরেশ্বর" মন্দিরত সোমাইগৈ। দুৱারর সম্মুখতে সদাশিরর ২৫ আকারর মূর্ত্তিরে

পায়। এই মন্দিরর দুৱার মুখর ছফালে বালি আৰু মুগ্ধীরর দুটা মূর্ত্তি দেখিবলৈ পোরা যায় আৰু তার পিছত দুৱারত হরিচন্দ্র আৰু তেওঁর বাণী চন্দ্রমতীর মূর্ত্তি। এই মন্দির এরি মণ্ডপর মাজেদি পার হৈ গৈছেই 'সুন্দরেশ্বর মন্দির পায় আৰু মন্দিরর মূর্ত্তিখন "তেয়াকুলম্" পুখুরী খাদোতে পোরা যৈছিল বুলি কয়। এই মন্দিরর ওফরত থকা বেৰত তামিল আৰু সংস্কৃত ভাষাবে লিখা মন্দিরর ইতিহাস দেখিবলৈ পোরা যায়। তাক এরি গলে এশগুটার মণ্ডপম দেখা যায়। এই মণ্ডপমতে শ্রীমন্ত 'সরাপতি' অর্থাৎ সদাশিরর মূর্ত্তি পোরা যায়। চিদাম্বরমত থকা



মীনাক্ষী মন্দিরর এটা শিলর পরা কাটি উলিওরা মূর্ত্তির গুটা

আঠোটা তন্তত সজোরা এটা সুন্দর মণ্ডপম পোরা যায়—ওফরতে শিলর নান্দী আৰু ৰজার গুটিবে সৈতে মন্দিরর ভিতর চ'বা। মণ্ডপমর বিপরীত ফালে চাবিটা ধুনীয়া তন্ত আছে। ইয়ার চটাত সদাশিরই কালীর লগত নচা দৃশ্যর মূর্ত্তি কটা আছে। এই মূর্ত্তির পাছফালেই সোণ আৰু ৰূপর কাৰুকার্য্যরে সজোরা বাহনখোরা কোঠাবোর। ইয়ার সৌ ফালে ওলাই যাওঁতে এটি ধুনীয়া কাঠর ছালর ঘর পাব আৰু এইটোক মরলঘর বোলে। ইয়াক পার হৈছেই এহেজার গুটার মণ্ডপম পোরা যায়। এই মণ্ডপম এরিয়েই আকৌ পদুলি মুখর আলি ওলাইগৈ।



মাদুরার মীনাক্ষী মন্দিরর ঘুলনি

এই মূর্ত্তি যেনে অদৃশ্য তেনেদরে ইয়াত নহয়। এই মণ্ডপমর ওফরতে নবগ্রহর বেদী। এই নবগ্রহ আমার ওৱাহাটীর নবগ্রহ মন্দিরর দরেই অৱস্থিত—দেখিলে মনে হয় যেন ই সেই গুৱাহাটীর নবগ্রহ মন্দিরেই।

সুন্দরেশ্বর মন্দির :—তার পরা সোঁফালে ঘুরি গলেই এটা ডাঙর চ'বাঘর পোরা যায়। আৰু ইয়ার দক্ষিণ দুৱারেদি গলেই চাবিওফালে ঘাবপালর মূর্ত্তিরে ঘেরি থকা বিখ্যাত "সুন্দরেশ্বর" মন্দিরত সোমাইগৈ। দুৱারর সম্মুখতে সদাশিরর ২৫ আকারর মূর্ত্তিরে

তিৰোমালার ধর্ম্মশালা :—মীনাক্ষী মন্দিরর বিপরীত ফালে আলিটো পার হৈছেই এটা ডাঙর মণ্ডপম পোরা যায়। এই মণ্ডপমর নাম "পুঠু মণ্ডপম্" বা তিৰুমালার ধৰমশালা। যদি এই মণ্ডপমটো সম্পূর্ণৰূপে সজা হৈ উঠিলহেঁতেন তেন্তে নায়ক ৰজার সকলোবোর আট্টালিকাতকৈ ই বেছি ধুনীয়া হলহেঁতেন। কিন্তু তিৰুমালা ৰজাই ২২ বছরর ভিতরতো ইয়াক সম্পূর্ণ করি তুলিব নোরাৰিলে। এই ধৰমশালার ঘরটো সদাশিরর উদ্দেশ্যে সজাইছিল। কারণ সদাশিরই ৰজাক বহুবেলি ১২

দিনৰ কাৰণে তেওঁৰ ৰাজ্যলৈ আহিব বুলি কৈ এটা ঘৰ সাজি দিবলৈ কোৱাত ৰজাই এই ঘৰ সজাইছিল বুলি কৰিত। ঘৰটোৰ ডাঙ্গৰ ডাঙ্গৰ চাৰিশাৰি খুটা আছে আৰু এই খুটাৰ ওপৰত ছালখন বৈ আছে। মাজৰ বাটৰ চাৰিফালে থকা পাচোতা খুটাত দহজন নায়ক বংশীয় ৰজাৰ মূৰ্ত্তি আছে আৰু তিৰোমালাৰ মূৰ্ত্তিৰ ওপৰত এখন চন্দ্রাতপ আৰি নিজৰ শ্রেষ্ঠতা দেখুৱাইছে। তেওঁৰ মূৰ্ত্তিৰ পিছতে তাঞ্জোৰৰ ৰাজকুমাৰী অৰ্থাৎ তেওঁৰ ৰাণীৰ মূৰ্ত্তিটো ৰাখিছে। এই ঘৰটোত বৰ্ত্তমান দোকানীবোৰে ধৰমশালাৰ ঠাইত ৰজাৰশালা বহুৱাইছে আৰু এইদৰে ইয়াৰ সৌন্দৰ্য্য নষ্ট কৰিছে।

তিৰুমালা নায়কৰ ৰাজ-ভৱন :—মাদুৱা বেল ষ্টেশ্যনৰ পৰা ১½ মাইলমান পশ্চিমে অৱস্থিত তিৰুমালা নায়কৰ ৰাজভৱনটোৱে বহুত ঠাই আগুৰি এতিয়াও আছে। ঘৰটো প্রায় মাদ্রাজ প্রেচিডেন্সিতহে পোৱা এৰিধ বিশেষ ধৰণৰ শিলেৰে তৈয়াৰী। বিচাৰালয়ৰ পশ্চিমফালে "স্বৰ্গ



"তিৰুমালা" নায়কৰ ৰাজভৱন

বিলাসম" নামে চৰাঘৰ আছে। ঘাই অট্টালিকাৰ দক্ষিণ পশ্চিম চুকত আৰু এটা ডাঙৰ চ'ৰা আছে ইয়াক "দেৱানী খাঁচ" বা 'দেৱানী আম'ৰ নিচিনা বৈঠকখানা আছে। এই বৈঠকখানাৰ পিছতে চাৰিওফালে ৰাজ-পৰিয়ালৰ তিৰোতাসকলে বহিবৰ কাৰণে এটা গেলেৰী আছে। তাৰ পশ্চিম ফালে ৰাজভৱাল আৰু পুখি ভৰাল।



তিৰুমালা নায়কৰ ৰাজ-ভৱন (মাদুৱা)

বৈঠকখানাৰ ছালৰ মাজত চাৰিটা বিন্ধা আছে। তাৰ ভিতৰৰ পুৰ কাষৰ বিন্ধাটো সবাতোকৈ বহল। এই চাৰিটা বিন্ধাত ওলোমাই আৰি থোৱা এখন আগনেই "তিৰুমালা" ৰজা বহিছিল বুলি কয়। এই বিষয়ে এটা কিম্বদন্তীও আছে। বহল বিন্ধাটোলৈদি ওপনি থকা শিকলি ডালেৰে নামি আহি এবাৰ এটা চোৰে ৰাজাৰ কীৰ্ত্তিৰ মুকুতা চুৰি কৰি লৈ গৈছিল। ৰজাই মুকুতা হকৰাত বিচাৰ খোচাৰ কৰিও নেপাই পিছত ঘোষণা কৰিলে যে, যি সেই মুকুতা ঘুৰাই দিব তাক তেওঁ একো শাস্তি নিদিয়ে। বৰঞ্চ এখন জমীদাৰীহে দিব। ৰজাৰ ঘোষণামতে সেই অঘাইট চোৰটোৱেই আহি ৰজাক সেই মুকুতা ঘুৰাই দিলেহি আৰু ৰজায়ো নিজৰ কথা ৰাখি তাক এখন জমীদাৰী দিলে। সেইই জমিদাৰী এতিয়াও "চোৰৰ জমিদাৰী" বুলি জনাজাত আৰু ই ভাল হৈ চলি আছে।

"টোমকড"—বংঘৰ :—নগৰৰ উত্তৰফালে বৈ-গৈ নৈ সিপাৰে দণ্ডৰ পৰা প্রায় এমাইলমান দূৰৈত "টোমকড়" নামে এটা বং-ঘৰ আছে। এই বংঘৰ আমাৰ আহোম ৰজা ৰাজেশ্বৰ সিংহ স্বৰ্গদেৰে সজোৱা বংপুৰৰ বংঘৰৰ নিচিনাই। এই বংঘৰৰ ওপৰত উঠিলেই ৰজাই ওচৰ

মুকলি পথাৰত'লগোৱা ম'হ, গৰু, হাতী আদি জন্তুৰ যুদ্ধ চাইছিল। সেই কাৰণে ইয়াক টোম বা বংঘৰ বুলিছিল। এই বংঘৰ পথাৰ আৰু নৈ দেখিলে আমাৰ বংপুৰৰ বংঘৰ জেবেৰ্ত্তা পথাৰ আৰু দিঘৌ নৈলৈ মনত পৰে।

টেপাকুলম সাগৰ—ঠিক সেই দৰেই আমাৰ জয় সাগৰৰ নিচিনাকৈ ষ্টেশ্যনৰ পৰা তিনি মাইল পুবফালে (নৈৰ দক্ষিণ ফালে) ধুনীয়া পুখুৰী আছে। এই পুখুৰীৰ



টেপাকুলম (মাদুৱা) পুখুৰীৰ পাৰৰ মন্দিৰ

নাম টেপ্পাকুলম। এই পুখুৰীও তিৰুমালা ৰজাৰেই খনাইছিল বুলিয়ে পুখুৰীৰ মাজতে এটি সক চাৰি কোণীয়া দ্বীপো আছে তাৰ মাজত এটি সক মন্দিৰ আছে। আগেয়ে বৰ্ণনা কৰা কমলালয়ৰ দৰে প্রায় বোৰ দাক্ষিণাত্যৰ মন্দিৰ এনেদৰে এটা পুখুৰী আৰু দ্বীপ দেখিবলৈ পোৱা যায়। এই পুখুৰী আৰু দ্বীপত বছেকেৰত একোটাকৈ স্নান যাত্রা উৎসব হয়। এই টেপ্পাকুলম উৎসৱটো জাম্বুৰাবী বা ফেব্রুৱাৰী মাহত পৰে। ওচৰত ওচৰত থাই মন্দিৰৰ পৰা তীর্থ বেৰম অর্থাৎ স্নানৰ মূর্ত্তিখন লৈ এই দ্বীপত চাৰিওফালে এখন নাৱত ঘুৰাই উৎসব পাতে দেখি এই পুখুৰীকো টেপ্পা তথাং নৌকা উৎসৱ পুখুৰী কয়। তামিল ভাষাত "টেপ্পা" মানে নাৱঁ, টোম মানে বং-তামাচা আৰু কণ্ড মানে ঘৰক বুজায়। এই উৎসৱত গধুলি দ্বীপৰ মাজত ১০,০০০বস্তি জ্বলাই জোনাক পৰুৱাৰ তিৰবিৰণিৰ দৰে কৰে।

বৃহৎ বড়গছ :—বৰ্ত্তমানৰ জজৰ কাছাৰিৰ কম্পাউণ্ডৰ ভিতৰত এজোপা বৰ ধুনীয়া বড়গছ আছে। এই গছৰ গুৰি ৭০ফুট আৰু ডালেপাতে ১৮০ফুট বহল হব। ইয়াক দেখিলে কাশীৰ বড় গছলৈ মনত পৰে।

হাতীয়া পর্ব্বত :—নগৰৰ প্রায় ৫ মাইল উত্তৰ পুব কোণত এটা হাতীমুৰীয়া পর্ব্বত আছে। ইয়াৰ গঠন অনুযায়ীই ইয়াক হাতীমুৰীয়া পর্ব্বত বোলা হয়। ইয়াৰ দীর্ঘত্ব প্রায় দুই মাইল। বহলে পোৱা মাইল আৰু ওখই প্রায় ২৫০ ফুট মান হব। অমাবস্যাৰ দিনা বাতি বহুত মানুহ বিশেষকৈ পাট কাপোৰ বোৱা তাতীবোৰ ইয়ালৈ গৈ পূজা সেৱা কৰে। এই পর্ব্বত দেখিলে আমাৰ গুৱাহাটীৰ আমিনগাওঁৰ ওচৰৰ হাতীমুৰীয়া পর্ব্বতলৈ মনত পৰে আৰু দেখিবলৈ প্রায় একেই।

তিৰুপৰণকুন্দ্রম :—মাদুৱা নগৰৰ পৰা ৬ মাইল দক্ষিণত থকা এটি পাহাৰৰ ওপৰত এটি মন্দিৰ আছে এই মন্দিৰটোক স্কণ্ড মালয় বা কণ্ডৰ পর্ব্বত বোলে। শিৱৰ পুত্রক স্কণ্ড্ বা সুব্রামন্য বোলা হয়।



তিৰুপৰনকুন্দ্রমৰ ওচৰত পাহাৰৰ আৰু "টেপ্পাকুলম্"

আৰু মালয় অর্থে পর্ব্বত বুজায়। এই মন্দিৰত বছৰে যিটো কুটকাই উৎসব হয় সেই উৎসবত না না

ঠাইৰ পৰা হাজাৰ হাজাৰ মানুহ সমবেত হয়। মন্দিৰ-টোত বহুত কাৰু কাৰ্য্য আৰু লিপি আছে। পাহাৰ টোতো অনেক সৰু ডাঙৰ গুহা আছে। আৰু এই গুহাবোৰৰ গাতো অনেক কাৰুকাৰ্য্যৰ চিন আছে পাহাৰৰ ওপৰত এটি সৰু হ্ৰদো আছে। এই হ্ৰদত অলেখ মাছ আৰু কাছ পোৱা যায়। এই পাহাৰত কাছকনীও পোৱা যায়।

ইয়াৰ উপৰিও মাদুৰাৰ পৰা অলপ দূৰতে বিখ্যাত মুছলমান ফকিৰ চেকেন্দাৰ বাচ্চাৰ সমাধি স্থল আছে তাৰ পৰা প্ৰায় তিনিপোৱা মাইল মান গলে 'সৰ্ব্বান পেণৈ' নামৰ এটা মন্দিৰ পোৱা যায়। ইয়াৰ পৰা গলেহে টেপাকুলম পোৱা যায়। লগত দিয়া ছবি খনেই টেপাকুলম আৰু ওচৰত পাহাৰটো দেখাইছে। টেপাকুলমৰ মাজত থকা মণ্ডলটোও দেখিবলৈ বৰ মনোৰম।

এই বোৰ পুৰণিকীৰ্ত্তি লৈয়েই মাদুৰাই আজিও প্ৰাচীন গৌৰৱ আৰু কীৰ্ত্তি বজাই ৰাখিছে। এতিয়াও তাত অনেক সংস্কৃত পণ্ডিত আছে যি সকলক লৈ আজি গোটেই ভাৰতে গৌৰৱ লভিব পাৰে। লিখকৰো তেনে এজন সংস্কৃত পণ্ডিতৰ লগত দেখা হোৱাৰ ভাগ্য ঘটে। তেখেতৰ নাম পণ্ডিত সুব্ৰামাঞ্জ শাস্ত্ৰিয়াৰ। তেখেতে চানকাৰ দৰে এটি সৰু পঁজাতে দিন কটাইছে। কিন্তু দিনে দিনে শই শই মানুহ তেখেতৰ ওচৰলৈ দেখা কৰিবলৈ যায়। তেখেতক দেখিলে মনত হয় তেখেত বজাতকৈও বেছি ডাঙৰ। সেই কাৰণে চানকাই লেখি গৈছে :—

"বিত্তস্তঞ্চ নৃপস্তঞ্চ নৈব তুল্যা কদাচন।
স্বদেশে পূজ্যতে ৰাজা বিদ্বান্ সৰ্ব্বত্ৰ পূজ্যতে।"

মাদুৰা নগৰৰ ইতিহাস আলোচনা কৰাৰ লগে লগে এইটো দেখা গল যে মাদুৰাৰ অতীত ইতিহাস অতি চহকী। ভাৰতৰ অন্য অন্য পৱিত্ৰ তীৰ্থ ঠাইৰ দৰে তাতো সকলো ধৰণৰ সামগ্ৰী আৰু পৱিত্ৰতাৰ বতাহ বলিব লাগিছে। এই নগৰলৈ গলে এখন যে তীৰ্থক্ষেত্ৰলৈহে আহিছো এইটো বেছ অনুমান কৰা হয়। তাতে সোমালে কাশীলৈ গৈছোনে গয়ালৈ গৈছো, পুৰীলৈ গৈছোনে, বৃন্দাবনলৈ গৈছো নাইবা উত্তৰ ভাৰতৰ মথুৰাতে সোমাইছো নে দাক্ষিণাত্যৰ মাদুৰাতে সোমাইছো



মীনাক্ষী মন্দিৰৰ ভিতৰত পুখুৰী আৰু ধৰমশালা

ইয়াৰ একো ভেদ ৰাখিব নোৱাৰি। যদি কিবা প্ৰভেদ পোৱা যায় সি কেৱল বাহিৰৰ ব্যাখ্যাবিৰ জগতহে—যেনে কথা-বাৰ্ত্তা, পোছা-লোছা, ইত্যাদি।—এয়ে ভাৰতীয় তীৰ্থস্থানৰ বিশেষত্ব আৰু এই বিশেষত্ব যোগেদিয়েই অনৈক্য ভাৰতক একতা ডোলেৰে বান্ধি আছে। ধন্য ভাৰতীয় ধৰ্ম্মৰ আদৰ্শ আৰু ধন্য হিন্দু পৱিত্ৰ বান্ধোন। যেতিয়াটৈকে ভাৰতৰ চুকে কোণে নগৰে চহৰে পৱিত্ৰ-ধৰ্ম্মমন্দিৰ আৰু তীৰ্থস্থান যোৰ খাকিব তেতিয়াটৈকে অনৈক্য ভাৰতৰ মাজতো এচাৰ একতাৰ ডোল ফট ফটিয়া হৈ থাকিব।

ৰূপ-জ্যোতি

কবিতা— —শ্ৰীযুত গণেশ চন্দ্ৰ গগৈ

ৰূপৰ জ্যেউতি সখি নাশিব নোৱাৰে কেঁৱে
নিজৰ বন্দিতে মাথো নিজে মাৰ যায়
এঞ্চাৰে আঠুৰা তৰি বান্ধা দিয়ে অকণক
তেঙেচো পুৱাতে আহি পোহৰ বিলাই
কুঁৰলীয়ে ছাটিধৰে উষাৰ লাহৰি আভা
তথাপি মলয়া বয়, বলিবৰ হলে,
ঘোপমৰা ডাৱৰৰ মাজেদি সুকন্ধা ফালি
মেঘত দীপালি সাজি জোন তৰা জ্বলে
জালিকটা বিহাবেই ঢাকিলে কি হব সখি
পাহি মেলি ফুলি অহা পদুমৰ কলি,
আবেগৰ বা লাগি হৃদিবনে বেগু তাৰ
নাহিবনে কাষচাপি মতলীয়া অলি!
কেচা সোণ বৰণীয়া তোমাৰ লৰহু তনু
দহি বটা খনিয়াবে নোৱাৰা ঢাকিব,
বিবিজি বিবিজি সখি মনোৰম কপ বেখা
জোনাকী পকৰাই হৈ জিলিকি আহিব,
ওবণি তলতৈ অধৰৰ বহঘৰা
মোহলগা মুকুতাক নোৱাৰা ৰাখিব,
নিলাজী সমিৰে সখি ওবণি গুচাই লৈ
কমনীয় কমলিৰ কবিতা গাঁথিব।
আকুলতো আলসুৱা আজলী বুকুৰ সখি,
পাৰা জানো লুকুৱাব পলসুৱা পণ
অভিমানে আঁকি দিব তোমাৰ গোপন ছবি
লাজুকী লতাবে ঘেৰা ঘন উপবন।
নোৱাৰা ঢাকিব সখি নোৱাৰা ৰাখিব সখি
দেৱতাই দান কৰা জীৱন দাপোন
যদিওবা জীবনেই সৃষ্টিৰ বিমল ছায়া
যদিওবা জনমেই অনন্ত সপোন।

ধম্মপদ

—শ্রীযুত উপেন্দ্র চন্দ্র লেথাক

পাপ বগ্‌গো
(নবমো)

১১৬ পুণ্যলাভ করিবলৈ সাজুহোৱা, পাপৰ পৰা মনক নিয়ন্ত্ৰ কৰা ; পুণ্য কৰ্ম্মত এলাহ কৰিলে মন পাপত ৰত হয়।

১১৭ যদি কেতিয়াও কোনোৱে পাপ কৰে তেনেহলে যেন বাৰে বাৰে তাকে নক'ৰে, যেন তাত আসক্তি প্ৰবেশ নকৰে ; কাৰণ, পাপ সাঁচিলে দুখ হয়।

১১৮ যদি কোনোৱে পুণ্যকৰ্ম্ম কৰে, তেনেহলে যেন বাৰে বাৰে সেই কাম কৰে, যেন তাত ৰতি জন্মায় ; কাৰণ, পুণ্য সাঁচিলে সুখ হয়।

১১৯, ১২০ পৰিণাম নেদেখুৱালৈকে পাপীয়ে সুখ দেখে, কিন্তু পৰিণাম দেখুৱালে পাপীয়ে দুখ অনুভৱ কৰে। পুণ্যকৰ্ম্মই ফল নেদেখুৱালৈকে সাধুৱেও দুখথকেছে কিন্তু যেতিয়া পুণ্যকৰ্ম্মই ফল দান কৰে তেতিয়া তেওঁ সুখ দেখা পায়।

১২১ পাপ যিমানেই কম হওক, সি মোৰ ওচৰলৈ নাহে, এই ভাবি যেন কোনোৱে পাপক আওহেলা নকৰে। এটোপ এটোপ পানী পৰিও এটা কলহ পূৰ্ণ কৰে। সেই দৰে মূৰ্খই অলপ অলপকৈ সংগ্ৰহ কৰিলেও শেষত পাপত পূৰ্ণ হৈ যায়।

১২২ সামান্য পুণ্য কৰি বিশেষ লাভ নাই বুলি যেন কোনোৱে পুণ্য আওহেলা নকৰে। টোপ টোপকৈ পানী পৰিও কলহ পূৰ্ণ কৰে। সেই দৰে অলপ অলপকৈ পুণ্য সাঁচিলেও জ্ঞানীজন পুণ্যেৰে পূৰ্ণ হয়।

১২৩ লগত বহু ধন থাকিলে আৰু কম সঙ্গী থাকিলে সাওঁদে যিদৰে বিপদ থকা পথ পৰিত্যাগ কৰে, জীয়াই থাকিবলৈ ইচ্ছা কৰা লোকে যিদৰে বিষ পৰিত্যাগ কৰে, সেই দৰে পণ্ডিতলোকে পাপ পৰিত্যাগ কৰিব।

১২৪ হাতত ঘা নাথাকিলে বিষ লব পাৰি, তেতিয়া বিষে একো কৰিব নোৱাৰে। সেইদৰে যাৰ চিত্ত পাপ নাই তাৰ ওচৰলৈ পাপ যাব নোৱাৰে।

১২৫ যি মূৰ্খই, নির্দ্দোষী, শুদ্ধ আৰু নির্ম্মল লোকৰ নিন্দা কৰে, বায়ুৰ বিপৰীত ফালে ছটিওৱা ধূলিৰ দৰে পাপ তাৰ ওচৰলৈহে আহে।

১২৬ কোনোৱে বাৰে বাৰে জন্মগ্ৰহণ কৰে, পাপীবিলাক নৰকলৈ যায়, পুণ্য কৰ্ম্মা সকল স্বৰ্গলৈ যায়, আৰু বিষয় বাসনা নথকা লোকে নির্ব্বাণ লাভ কৰে

১২৭ আকাশ, সাগৰৰ মাজ বা পৰ্ব্বতৰ গুহা বা জগতৰ এনে কোনো ঠাই নাই যি ঠাইত থাকিলে পাপ কৰ্ম্মৰ ফলৰ পৰা মুক্ত হব পাৰি।

১২৮ আকাশ, সাগৰ বা পৰ্ব্বতৰ গুহাত, জগতত এনে ঠাই নাই য'ত থাকিলে মৃত্যুৱে স্পৰ্শ নকৰিব।

দণ্ডকাগো।
(দশম)

১২৯,১৩০ দণ্ড আৰু মৰণক সকলোৱে ভয় কৰে। আৰু জীৱন সকলোবে প্ৰিয়। গতিকে নিজৰ দৰে ভাবি কাকো আঘাত বা হত্যা নকৰিবা।

১৩১,১৩২ নিজৰ সুখৰ কাৰণে সুখ কামনা কৰা লোকে জীৱ বিলাকক দণ্ড দি হিংসা কৰি পৰলোকত কোনো সুখ নাপায় ; যি লোকে নিজৰ সুখৰ কাৰণে জীৱ বিলাকক দণ্ড দি হিংসা নকৰে তেওঁ পৰলোকত সুখ পায়।

১৩৩,১৩৪ কাকো কটু কথা নকবা। যাক কটু কথা কবা তেওঁ তোমাক কটু কথা কব। খৰ বাক্যই দুখ দিয়ে। দণ্ড দিলে নিজকে দণ্ডই পায়।

মিছা বাক্যবয় যদি নকৰা তেনেহলে তুমি নির্ব্বাণ পাইছা। তোমাৰ কাৰো সৈতে বিবাদ নাই।

১৩৫ গৰুমীয়াই গৰুবিলাকক তাৰণা কৰি যি দৰে গৰুচোৱা ঠাইলৈ খেদি নিয়ে সেই দৰে জৰা আৰু মৃত্যুৱে জীৱ বিলাকৰ আয়ুষ্ক তাৰণা কৰি মৰণৰ পিনে লৈ যায়।

১৩৬। মূৰ্খই যেতিয়া পাপ কাম কৰে তেতিয়া সি তাক বুজিব নোৱাৰে। এনে মূৰ্খই নিজৰ কৰ্ম্মৰ দ্বাৰা দুষ্ট দগ্ধ হোৱাৰ দৰে যন্ত্ৰণা ভোগ কৰে।

১৩৭—১৪০ যি লোকে দোষনথকা নিৰপৰাধীলোকক দণ্ড দিয়ে তেওঁ শীঘ্ৰে দশবিধ গতিৰ ভিতৰত এটা গতি পায়। এনে লোকৰ তীব্ৰ যাতনা, হানি, অঙ্গছেদ, টান ব্যাধি, উন্মত্ততা, কোনো বাজ আজাত যশলোপ নেদেখা, নভবা কোন দুৰ্ঘটনা, জ্ঞাতি ক্ষয় বা সম্পদ নাশ হয় বা তেওঁৰ ঘৰ বিলাক অগ্নিয়ে দগ্ধ কৰে। এনে দুৰ্ব্বুদ্ধি মানুহ মৰাৰ পিছত নৰকলৈ যায়।

১৪১ আকাঙ্ক্ষা পূৰ্ণ নোহোৱা মানুহক কি নগ্নচৰ্য্যা, কি জটা বা পঙ্ক ধাৰণ, অনশন বা ভূমিত শয়ন, বা ধূলি বা বোকাসনা বা ভবিষ্যধন ওপৰত ভৰ দি বহা একোৱেই শোধন কৰিব নোৱাৰে।

১৪২ অলঙ্কৃত হৈয়ো যি লোক শান্ত, দান্ত, সংযত আৰু ব্ৰহ্মচাৰী আৰু কোনো প্ৰাণীকে দণ্ড নিদিয়াকৈ শম আচৰণ কৰে তেৱেঁই ব্ৰাহ্মণ, তেৱেঁই শ্ৰমণ তেৱেঁই ভিক্ষু।

১৪৩ পৃথিৱীত এনে কোন পুৰুষ আছে যিজনে নিজেই লাজত নিষিদ্ধ কৰ্ম্ম নকৰাকৈ থাকে আৰু সুশিক্ষিত ঘোৰাই যিদৰে আঘাত সহ্য নকৰে সেইদৰে তেৱেঁ নিন্দা নোপোৱাকৈ থাকে।

১৪৪ সুশিক্ষিত ঘোৰাই কোব পালে যিদৰে উদ্যোগী আৰু বেগী হয়, সেইদৰে উদ্যোগী আৰু কার্য্যতৎপৰ হবা। শ্ৰদ্ধা, চৰিত্ৰ, বীৰ্য্য, ধ্যান আৰু বিচাৰৰ দ্বাৰা পূৰ্ণকাম আৰু সদাচাৰ সম্পন্ন আৰু স্মৃতিমান হলে এই মহৎ দুখ জয় কৰিব পাৰে।

জৰা বগ্‌গো
(একাদশ)

১৪৬ বাগ ধেম আদিৰ দ্বাৰা সদায় প্ৰজ্জ্বলিত হোৱা স্বত্বেও এই জগতত তোমালোকৰ হাঁহি বা আনন্দ কিয় ? তোমালোক অন্ধকাৰত আবৃত আছা জ্ঞানদীপ অনুসন্ধান কৰা নাই।

১৪৭ বস্ত্ৰ অলঙ্কাৰাদিৰে সুসজ্জিত, ব্ৰণ বা ঘা বিলাকেৰে পূৰ্ণ, হাৰ আদিৰে পোন কৰা, ৰোগযুক্ত নানা সঙ্কল্পপূৰ্ণ আৰু অস্থায়ী দেহৰ পিনে চোৱা।

১৪৮ এই শৰীৰ ক্ষয়শীল, ৰোগৰ উৎপত্তিৰ ঠাই ; দুৰ্গন্ধযুক্ত দেহ ভয় হয়—জীৱন মৰণত শেষ হয়।

১৪৯ শৰৎকালৰ লাওৰ দৰে আৰু পাৰৰ দৰে বগা এই অস্থিবোৰ দেখি এই ৰোৱৰ প্ৰতি কিহৰ আসক্তি ?

১৫০ হাড়েৰে এখন পুৰী নিৰ্ম্মিত হৈছে, তাত তেজ মঙ্গহৰ প্ৰলেপ দিয়া হৈছে, তাৰ ভিতৰত জৰা, মৃত্যু, অহঙ্কাৰ আৰু কপটতা বাস কৰিছে।

১৫১ ৰঙ্গা সকলৰ সুচিত্ৰিত ৰথবিলাকো জীৰ্ণ হৈ যায় আৰু সেইদৰে শৰীৰো জীৰ্ণ হৈ যায় ; কিন্তু সাধু সকলৰ ধৰ্ম্ম ক্ষয়প্ৰাপ্ত নহয়। শান্তলোক সকলে সাধুসকলৰ আগত এইদৰেই কয়।

১৫২ জ্ঞানহীনলোকে মাথোন বলধৰ দৰে বুঢ়া হয়, তাৰ মঙ্গহহে বাঢ়ে কিন্তু প্ৰজ্ঞা নাবাঢ়ে।

১৫৩, ১৫৪, দেহৰূপ গৃহ নিৰ্ম্মণ কৰোতাক বিচাৰি বিচাৰি নাপাই কিমানবাৰ ভ্ৰমণকৰিলোঁ, কিমানবাৰ সংসাৰত জন্মগ্ৰহণ কৰিলোঁ। বাৰে বাৰে জন্মগ্ৰহণ দুখকৰ। হে গৃহকৰ্ত্তা, এইবাৰ তোমাক দেখিছো, আৰু গৃহ নির্ম্মাণ কৰিব নোৱাৰিবা, তোমাৰ সকলো কাঠ ভগ্ন হৈছে, ঘৰৰ ধৰ বিলাক নষ্ট হৈ গৈছে—নির্ব্বাণলৈ যোৱা মোৰ চিত্তৰ সকলো তৃষ্ণা ক্ষয় হৈছে।

১৫৫, ১৫৬ ব্ৰহ্মচৰ্য্য আচৰণ নকৰিলে, বা যৌবনত ধন উপাৰ্জ্জন নকৰিলে মাছ নোহোৱা বিলৰ বগলীৰ দৰে চিন্তা কৰিব লগা হয় ; আৰু পুৰণি কথা সুঁৰৰি শোক কৰি কৰি ধেনুৰ পৰা ষোৱা বৃথা শৰৰ দৰে পৰি থাকিব লাগে।

গীত

[আবতি।]

কথা—শ্রীযুতা নলিনীবালা দেবী

ধীবে ধীবে ধীবে নিশাব সমীবে
আদবি আনিলে সাদবী সখা
দুব সুদূবব নীলিমা পাবত
জিলিকি উঠিলে জোনালি বেখা
সাজ কুৱাবীয়ে তবা দীপ জ্বালি
আবতি তোমাব সহিছে লৈ
প্রকৃতি বাজে মৃদু মঞ্জিব
সুবব অমিয়া পবিছে বৈ।

ককণ বস। সুব পুবৰী, একতালা। ঠাটম ক্ষ মা। সময় দিনব ৪র্থ প্রহব। জাতি সম্পূর্ণ।

সুব আৰু স্বৰলিপি—শ্রীযুত সূর্য্যকান্ত ববদলৈ

অস্থায়ী

	০			১			+			৩					
	নি	সা	গা	প	মা		গা	মা	গা	ক্ষ	ক্ষ	সা			
	ধী	বে	ধী	বে	ধীবে		নি	শা	ব	স	মী	বে			
	পা	পা	পা	মা	পা	মা	গা	মা	গা	ঋ	ঋ	সা			
	আ	দ	বি	আ	নি	লে	সা	দ	বী	স	খা	আ			

অন্তৰা

	০			১			+			৩					
	সা	গা	পা	পা	পা		মা	পা	ধা	নি	ধা		পা	মা	গা
	দু	ব	সু	দুব	ব		নী	লি	মা	পা	ব	ত			
	সা	গা	গা	পা	মা	ধা	পা		গা	মা	গা	ক্ষ	সা		
	জি	লি	কি	উ	ঠি	লে	জো	না	লি	বে	খা	আ			

সঞ্চাৰী

	গা	গা	গা	পা	ধা		সা	সা	সা		সা	সা	সা		
	সা	জ	কু	ৱা	বী	য়ে	ত	বা	দী		প	জ্বা	লি		
	নি	নি	নি	ধা	পা	ধা	নি	নি	সা		নি	ধা	পা		
	আ	ব	তি	তো	মা	ব	স	হি	ছে		লৈ	অ	ই		
	পা	ধা	ধা	ধা	ধা	ধা	পা	ধা	পা		সা	সা	সা		
	প্র	কৃ	তি	ই	বা	জে	মৃ	দু	ম		অ	ঞ্জি	ব		
	পা	পা	পা	মা	পা	মা	গা	মা	গা		ঋ	ক্ষ	সা		
	সু	ব	ব	অ	মি	য়া	প	বি	ছে		বৈ	অ	ই		

সম্প্রদান

গল্প— —শ্রীযুত প্রসন্নলাল চৌধুৰী বি-এ

বাগিছাৰ ডাকোৱাল আহি পায় ২ মান বজাত। বিমল ক'ৰাৰ পৰা ক্লান্ত হৈ আহি কোটটো সোলোকাই থৈ, হালা মাচিয়া খনত বহিছে, হিন্দুস্থানী চাকৰ টোৱে আহি লাহে ধীৰে ডাক সোণা আনি আগত দিলে। প্ৰথমে হাতত পৰিল এখন পখেকীয়া অসমীয়া বাতৰি কাকত। এইখন সম্পাদকৰ মন গলে মাজে সময়ে ছপাই পঠিয়ায়। নেমেলাকৈয়ে এফলীয়া কৰি থলে। তাৰ পাছত আহিল অসমীয়া মাহেকীয়া কাকত এখন। খৰ খেৰীয়া কাকতত জাৰ্ম্মেনী ইটালী বাচিয়া আদি দেশৰ ৰাজনৈতিক তথ্য আৰু সমস্যাৰ আলোচনাবে ভৰা। মেলি কিবা ছবি টবি আছে নেকি চাই, থলে তাকো কামৰীয়া কৰি। পিছত দুখনমান ঔষধৰ বিজ্ঞাপন। এখনৰ ওপৰৰ পিঠিত এটা টুলটুলিয়া হাঁহি থকা সুন্দৰ ছবিৰ ছবি দেখি, অলপ পৰ তালৈ বিমলে চাই বল, আৰু পিছত ভালকৈ মেজৰ ওপৰত থলে। ভাব—পাৰিলে কাঢ লগাই বহাব। পিছত আহিল দুখন চিঠি। এখন আহিছে—ববাৰ পৰা। তেওঁ সুধি পঠাইছে বিমলৰ বিষয়ে কিবা এটা জনবৰ শুনিছে—সঁচানে মিছা? চিন্তিত ভাবে দ্বিতীয় খন চিঠি পঢ়িব ধৰিলে। নানা কথাৰ পাছত প্ৰভাতে লিখিছে "ৰব মহৰীৰ লগত তোমাৰ ব্যবহাৰ শুনি ভাল নাপালোঁ। তোমাৰ পিতৃতুল্য বয়সৰ ভদ্ৰলোক এজন, তোমাক ওখবান আৰু উপযুক্ত ভাবি, দেৱতাৰ দৰে শুভক্ষণত আদৰি আনি, সাধ্য অনুসাৰে বহু অলঙ্কাৰেৰে সৈতে দান কৰি বুকৰ কলিজা যেন, পৱিত্ৰ কুমাৰী ছোৱালী এজনী, তোমাৰ জন্ম জন্মান্তৰৰ লগবীয়া কৰি দি নিজে কৃতার্থ মানিব খোজে। অথচ তুমি তাত সন্তুষ্ট নহ'ল, কোন নাকেৰে দাবী কৰা যে নগদ পাঁচ হাজাৰ টকা, বিয়াৰ সকলো খৰচ আদি, নতুবা তেওঁৰ নামৰ জীৱন বীমাৰ হিচাবটো তোমাৰ নামে লেখি দিব লাগে। তোমালোক এই উপাধি লোৱা কেইটাৰ বিচাৰ বুদ্ধি কেনে কৰ নোৱাৰোঁ। অথচ তুমিয়ে সিদিনা জাবিছিলা নহয় সেই প্ৰেমৰ কাহিনী! সেই দীঘল দীঘল কথা!" বিমলে অলগমান অকলে হাঁহিলে। চিঠি দুখন গাকৰ তলত থৈ লাহে লাহে গা ধোৱা ঘৰত সোমাল।

* * * *

ভাটিবেলা বিমলে চিঠি লেখিব ধৰিছে—"তোমাৰ চকুত কথাটো যেনে লাগিছে, মোৰো তেনে ধাৰণা হয়। কিন্তু মই এইটো ভাবোঁ। দেব বুধি অযত্ন বৰ্দ্ধিত ছাৱা ছলিল ভিতৰত দৈবক্ৰমে তুমি এজনী ছোৱালীও ফুকালা। সকৰে পৰা তাইক মেকুৰীৰ ছানাৰ দৰে নাক কাণ ফুটাই সোণ ৰূপৰ অলঙ্কাৰ পিন্ধাই ৰূপৰ ভেমটো শিকালা। ব্ৰহ্মফৰ ক টোও নিশিকোৱাৰ ফলত তাইৰ মানসিক অৱস্থা আদিম অবস্থাতে বল। পিছত অলপ ডাঙৰ হ'লনে,—খলা তাইক টোপোলা বান্ধি ঘৰৰ ভিতৰত অদ্ভুত সংস্কাৰৰ মাজত। মাক পেহীয়েকক আবুৰেক ইতে তাইক শিকাৰ, তাই এটা অতি গোপন বস্তু, পুৰুষৰ ওপ্ত ভোগৰ উপকৰণ। মুকলি বতাহ আৰু সূর্য্য কিবণ তাইৰ অপথ্য। তুমি বাপেক জনে তাইৰ ফালে চকু দিয়াও তোমাৰ লাজৰ কথা বুলি ভাবিবা। শেষত মাক জনীৰ খেচ খেচনিত অস্থিৰ হৈ 'পাছ কৰা বৰত' বিয়া দিব কৰ্ত্তব্যপালনৰ যত্ন কৰিবা। লোভ দেখুৱাবা ইমান টকা দিবা, ইমান সোণা দিবা ইত্যাদি। তোমাৰ ভাব এই 'পাছ' কৰা মানুহবোৰৰ জীৱন বৰ সুখৰ। যাওক বৰ্ত্তমান শিক্ষাৰ মূল্য যিমান যি নহক ভাব চিন্তা বিলাক তেওঁলোকৰ কিছু বহল। তেনে

এজন নাহুহক তুমি কিন্তুতকিমাকার মতিগতিব ছোৱালী এজনী শাঙুবি দিলে কিবা সুখ শান্তিব আশা থাকেনে? সেই ক্ষতিব মূল্য স্বৰূপে, নাইবা তোমাব ধনব গপটো ভাঙিবব কাবণে যদি কোনোৱাই তুমি বলে নোৱাবা দাবী কবি বহে তেন্তে সেই জনব গাত দোষ দিবব মন মোব নাই। তুমি কন্যাদানব গৌবব বা গভীবতা বুজি বিয়াব প্রস্তাব কবিছিলা জানো? বুজা হলে তুমি টকাব কথা তুলিয়ালা হেঁতেন! তুমি আছিলিগা টকাব লোভ দেখুৱাই কন্যাদান কবি বাহাদুবী কবিবলৈ। তুমি ভাবী শহুবেবক টকাব দাবী কবাব বাবে দায় দিছা জোৱাইক সকলব ওপবত। মোব মত তোমাব লগত নিমিলিব। ছোৱালী যিমান দিন অশিক্ষিতা বা কুশিক্ষিতা হৈ থাকিব, সিমান দিন এই দব ভাত চলি থাকিব। ছোৱালীক যদি প্রকৃতভাবে উপযুক্ত কবি তোলা বঙালীব বব পণে কেতিয়াও অসমত খোপনি পুতিব নোৱাবে।"—এনেতে তালি মবা গধুব বুট জোতা জোব পিন্ধি জগত বকৰা আহি ভিতব সোমাল। বিমলব ফালে চকু ফুবাই তেওঁ নিবানন্দ মুখ খন ওপবলৈ কবি ক্লান্ত ভাবে বেতব চকী এখনত বহি সুধিলে, "কি লিখিছে সেয়া? কিবা চিঠি নেকি?" বিমলে অন্যমনে কলে "হয়। চিঠি বুলিলেও বোলক. নাইবা জবাব দিহি বুলিলেও বোলক" বকৰাই ধীবভাবে সুধিলে "কেনে" বিমলে চিঠি খন লেখি লেখিয়েই কলে "সেই বৰমহবীব কথাটো। সেয়ে এটা All. Assam question হৈ পবিছে। ধুবৰীব পবা এজন বজুই সুধি পঠাইছে।" বকৰাই কলে "এবা অথনি আপোনাক কথাটোলৈয়েই বাকবিতণ্ডা কবি আহিছোঁ। বব মহবীব খুল শালীয়েকব তো গল ফলা চেঁ চেঁয়া বক্তৃতাত বক্ষাই নাই। মই কণ্ড বিষাত দব ভাঙটো একো নতুন কথা নহয়, ই আমাব আদি আৰু অকৃত্রিম প্রথা। অৱশ্যে এই নূতন ধৰণটো অলপ বিদেশী। হলেই বা বিদেশী, আজি কালি সামজস্তব দিন। তেওঁলোকে কয়—এনেহলে ধনীৰ বাহিবে চুবীয়াব বিয়া হোৱাই টান হব। ছোৱালী জন্ম দিয়া ভয়ব কথা হব, আপীব বাপেক হলে দেৱলীয়া হবব ভয় থাকিব। মই কৈছোঁ কন্যাদাতা বিলাকতো চিবকাল কন্যাদাতা হৈ নাথাকে, আৰু ববপক্ষও চিবকাল ববপক্ষ হৈ নাথাকে। আজিব ববেই কালিব কন্যাদাতা, আৰু আজিব কন্যাদাতাই কালিব ববপক্ষ। গতিকে আজি তোমাব যি ক্ষতি হল, কালি তুমি তাক পুবাই লবা—। আচলতে লাভ ক্ষতি সমান থাকিল। এটা ভাল উদাহবণে দিছোঁ। সেই বঙাল দেশব স্নেহলতা নে কি নামব ছোৱালী জনী যে পণ দিব নোৱাবা দেখি কাপোবত কেবাচেনী তেল ঢালি জুই দি মবিল। তাব বাবেলে কম হলহুল গৈছে নে? সেই এদিন। আৰু সেই স্নেহলতাবেই ভায়েকব বিয়াত বাপেকে কন্যাবব পণ আদায় কবে ১০ হাজাব নগদ। সিও এদিন। যেই পণ আদায় কবে তেওঁ যদি জানে যে এদিন দিব লাগিব আৰু সেয়ে দিয়ে তেওঁ যদি জানে যে এদিন পাবব সময় আছে, তেন্তে ই কথাৰ কথাই নহয়।" বিমলে মাত দিলে "বেছ কৈছে বকৰা। পিছে যোৱা কথা যাব দিয়ক। কি হব তাকে ধুনি পিট। এতিয়া নতুন খবব কি আছে কওক।" বকৰাই কলে "নতুন খবব আছে। মই আপোনাক বেয়া পাইছোঁ। বৰমহবীয়ে লগত জানিবা আপোনাৰ কথাই কথাই নিমিলিল, কিয় বেচেবী কমলা জনীয়ে কি দায় কবিলে?" বিমল বিস্মিত হৈ চাই কলে "কি দায় কবিব। মই তো একো নাজানো। কি হৈছে?" বকৰাই কলে "কিয় আপুনি জানো নাজানে যে আজি দহ বাবদিন নেৰা নেপেৰা জ্বৰ, মবে জীয়ে ঠিক নাই। অথচ আপুনি চিকিৎসা কবা দুবতে থাওক কি হৈছে বুলি মুখব খববটিও লোৱা নাই" বিমলে কলে "জানাই নহয় মই তেওঁলোকব লগত কিমান আঁতবে আঁতবে থাকোঁ। তাতে সেই আপীয়া প্রস্তাবটোবে বাটটো আৰু বন্ধ কবিছে। টান বুলি জানিলে ভদ্রতা বক্ষা কবা ধৰণব খবব কবাতো মোব আপত্তি নাই; দৰ্কাব হলে চিকিৎসা কবাতো আপত্তি নাই। আপোনালোকে আজিহে কথাটো কাণত পেলাইছে" বকৰাই অৱশ্যে হয় বুলি শলাগি থলে। বিমলে উদ্বগ ভাবে আৰু সুধিলে "নেবা নগবা জ্বব! কি চিকিৎসা কবিছে তেনেহলে?" বকৰাই টিনা মাতেবে কলে "কি

চিকিৎসা আৰু কবিব! আজি কিছু দিনব পবা বব মহবীব হোমিওপ্যাথি চিকিৎসাত অগাধ বিশ্বাস হৈছে, সেয়ে বাধা হাজবিকাব চিকিৎসা চলিছে। কথা ভাল দেখা নাই। বাপেকব অহম্পতীত ছোৱালী জনী মবিল। এঃ! ভাল ছোৱালী জনী আছিল দেহি!" বিমলব চাকবটোৱে চাহ আনি দিলে। দুয়ো অলপ ই কথা সিকথাব পাছত বব মহবীব ঘবব মুখ কবি ফুবিবলৈ ওলাই গল।

* * * * *

বব মহবীব মত বদলিছে। কেনেকৈ জানো তেওঁ আবিষ্কাব কবিছে বোলে, হোমিওপ্যাথি সৰু লবা ছোৱালী আদিব সাধাবণ অসুখত হে উপকাবী। গতিকে কমলাব চিকিৎসাব ভাব বিমলব হাতত পবিছে। তেওঁব গৃহিনীয়ে কিন্তু কথাটো ভাল নেদেখিলে। বিয়াব বযসব ছোৱালী, বিমলব লগত কথা বার্ত্তাও এবাব চলিছিল। কিজানি কোনোবাই কিবা কয়। বিমলে হাতত ধবি বহুপব নাড়ী চাইছে,—কপালত হাত দিছে, বুকে পিঠি সেই বযবব নলডাল লগাই পবীক্ষা কবিছে, ই কেনে কথা! তেওঁ বহুত ভাবিব লগা হৈছে। কি জানি এই ডলতে বিমলে কমলাব চেহাবাব দোষ ওপৰে চাইছে। কিন্তু উপায় নাই। জীয়েকব জীৱন মবণব সমস্যা। বিমলব কথামতে কমলাব বিছনা পাতি সলাই দিয়া হল। নতুন তুলী ধোৱা মহবীব বন্দবস্ত কবা হল। নানা বকমব ভবণব দাগ আৰু তেলামেহি লগা গাকবিলাক ওচোবা হল। বিমলব তত্ত্বাবধানত বিছনাখন ঘোপমবা শোৱা কোঠাটোব পবা আঁতবাই আনি খিবিকি থকা বহল টুপত পাতা হল। বোগীব ঔষধ পাতি আলপৈচান পথ্য আদিব নতুন ব্যৱস্থা কবি সিদিনা বিমল গুচি আহিল। পিছ দিনা দেখা গল বোগীব অৱস্থাব বিশেষ উন্নতি একো হোৱা নাই, আৰু বিশেষ বেয়াও একো হোৱা নাই, পিছে পবিচর্য্যা তেওঁ কোৱা মতে কবিব পবা নাই। বিমলব তাগিদত বব মহবীয়ে স্বীকাব কবিলে, লবাছোৱালী জাকক খুবাওঁতে ধুবাওঁতে আৰু ঘবব আন বনব হেঁচাত মাকব তবণি নাথাকে। কুলীয়নী

এজনীব দ্বাবা দিনবাতিব ভিতবত যিখিনি সেৱা হব পাবে, সেই খিনিহে হেঁছে। তাতে আৰু বাতি থপিলে মাকব পিছদিনা মুখ ফুবনি উঠে। বিমল নম্রভাবে যিমান খিনি পাবে বুজাই গল যে পবিচর্য্যাই প্রধান। ঔষধ উপলক্ষ মাত্র। গতিকে সেই ফালে যেন বিশেষ নজব দিয়ে। কমলাব অবস্থা বব সঙ্কটাপন্ন নহলেও বব ভাল নহয়। অব কম থকাব সময়ত চেতনা থাকে অলপ বঢ়াব লগে লগে বকনি আবম্ভ হয়। যিদিনা বিমলে চিকিৎসাব ভাব লয় সিদিনা কমলা অজ্ঞান অৱস্থাত। জ্ঞান হোৱাব পাছতো সেই জন বিমল বুলি ধবিব পবা নাছিল। বিমলক এনেয়ে কমলাই ভাংকৈ দেখা নাছিল। তাব ওপবত যেতিয়াই বিয়াব কথাব উমহাম লাগি পবিল তেতিয়াব পবা বিমলব নাম শুনিলেও কমলাই গৈ বাবীব চুক পোৱা হৈছিল। এতিয়া যি মুহূর্ত্ততে কমলাই জানিলে, তাই বিমলব চিকিৎসাত তেতিয়াব পবাই তাইব অলপ পবিবর্ত্তন দেখা গল। তত থাকা অৱস্থাত বিমল আগত থাকিলে চকু মেলোৱা বা মুখ মেলোৱা বা থাৰ্ম্মোমিটাব আদি দিয়া বিষম সমস্যা হৈ পবিল। কিন্তু বিমলব "মাই চানা" মাতব মধুবতাত আৰু নিচেই আপোন যেন ব্যৱহাবত কমলাব লাজ অলপ অলপ কবি কমি আহিল। কমলাই কেতিয়াবা কেতিয়াবা বিমলব মুখব ফালে সাহ কবি চোৱা হল। অৱশ্যে চকুবে চকুবে পবিলে লাহেকৈ বেবাব ফালে মুখ ঘুবাই লয়। মাজে মাজে কথা সুধিলে উত্তবো দিয়ে। কিন্তু যদি গম পায় ডঙাবব সিফালে মাক বৈ আছে অৱশ্যে কথা বেলেগ। ভয় যদি মাকে কেতিয়াবা নিলাজী বুলি দাত মুখ কবছি গালি পাবে।

বিমলে দেখিলে শুশ্রূষাব অভাবত ঔষধে যথার্থকপে গুণ দিব পবা নাই। বব মহবীব আগত কথাটো কোৱা হল। তেওঁ হোকা টানি টানি শুনিলে। কিজব দবে মাজে মাজে দুই চাবি কথা কলে। পাছত নিজে কিমান কামব জঞ্জালত থাকে, চাহাব যে বাগিছাব নাম মাত্রহে মেনেজাব, আচল কাম কবোতা তেওঁহে, পাকে প্রকাবে ইয়াকে কৈ বহু পবব পাচত তেওঁব বক্তব্য শেষ কবিলে। কি কবে অগত্যা।—বিমলে সিদিনা নিজে আহি বাতি

শুশ্রূষার ভার লব বুলি গাত ললে। আক লগত কাক পাবে বাখিব কলে ; যাতে সিহঁতে সেই মতে যত্ন লব পাবে। বব মহবীৰ ধন্যবাদৰ মাজত বিমলে নিজৰ ঘৰ মুখে ওচি আহিল।

খাই লৈ উঠি বাতি প্রায় দহ মান বজাত বিমলে আহি কমলাৰ কোঠাত উপস্থিত হল। কমলাৰ অলপ তাল্‌কা আহিছে, এটা হাত লেম একোগত অলি আছে। বিছনাৰ ওচৰত এজনী কুলিয়নী বহি আছে। কাষত এখন কেম্প খাটত কমলাৰ মাক শুই আছে। বিমলক অহা দেখি তেওঁ আঁতুৰ বিভুৰ কবি ওবণি টানি ভিতৰ সোমাল। মাওঁতে দুৱাৰত যিটি শব্দ কবি গল তাতে কমলাৰ চিলমিলীয়া তন্দ্রা ভাঙি গল। কমলাই উঃ! আঃ! কবিব ধবা দেখি বিমল গৈ মৃদুত বিছিব ধবিলে। কমলাই প্রথমে বিমল বুলি চিনিব নোৱাৰিলে পিছত তেওঁৰ উজ্জ্বল মুখ আক চকুজোৰ দেখি ভাবিলে ই সপোন চকুজোৰ মুছি বিমলৰ সুন্দৰ মুখখন মনতে ভাবি চাই অতর্কিতে অস্পষ্ট স্বৰে কৈ উঠিল—ডাক্তৰ বি—মল। কমলাই চক্‌মকৈ চকু জোৰ মেলিয়েই দেখিলে সপোন নহয়, লেমৰ পোহৰত বহি বিমলেই তাইৰ কাষত বহি বিছিব লাগিছে। অন্তৰত লাজ আক নতুন সুখৰ এটা ঢৌ খন্তেকৰ কাৰণে খেলি গল। বোগৰ অশান্তি পলকৰ কাৰণে দূৰ হল। বাতিটো কমলাই যিমান পাবে সংযত হৈ থাকিবৰ চেষ্টা কবিলে। বিমলে সময় মতে ঔষধ খুৱাই বিচি, মুৰ পিহি হাত পিহি যিমান পাবে বোগীৰ শান্তি বিধান কবি বাতি পুৱাৰ লগে লগে নিজৰ বহাটৈ ওচি গল। বব মহবী ওচবতে কেম্প খাট খনত পবি যি মেক মন্দৰ কপোৱা হতবণি মাবি আছিল, সেই ভাবেই থাকিল।

* * * *

পিছ দিনা খনো বাতি বিমল আহিল। তাৰ পিছ দিনাও আহিল। এনেকৈ আহোঁতে আহোঁতে বব মহবীৰ পবিয়ালে কমলাৰ শুশ্রূষাৰ ভাব বিমলৰ গাত দিয়েই প্রায় নিশ্চিন্ত হল। কমলাবো এতিয়া প্রায় আগৰ লাজ ওচিছে। বিমল নহাত বিমল কেতিয়া আহিব সুধি কাষত থকা কুলিয়নী জনীক বিৰক্ত কবে। আক বিমল আহিলে তেওঁ দিনত শুইছেনে, ভাত খাইছেনে, গা ভালে আছে নে আদি প্রশ্ন কবি তত হেকৰায়। এই দবে প্রায় এক সপ্তাহ সোৱাৰ পাছত কমলাৰ অৱ কমি আহিল। আবোগ্যৰ নিশ্চয়তা হল, বব মহবীয়ে আজিলৈকে বিমলক প্রথমে আহিবৰ দিনা দিয়া ৪৲ টকাৰ বাহিবে আন একো দিয়া নাছিল। গৃহিনীৰ লগত মেল কবি শেষত একে হপে পুৰস্কাৰ হিচাবে ২৸ টকা মান দিবৰ ঠিক ভিতবে ভিতবে কবি বৈছিল মাত্র। বিমলেও অৱশ্যে টকা কড়িৰ বিষয়ে আকাবে ইঙ্গিতেও একো কোৱা নাছিল। বাগিছাৰ কেবাগী মহবী মহলত মাজে মাজে কথা উঠিছিল, বিমলে কিমান টকা পালে, কিয় তেওঁ এনেকৈ কমলাৰ চিকিৎসাত দেহে কেহে লাগিছে, তেওঁ বোধ হয় এইবাৰ বব মহবীৰ কৃপাত কিছু সুবিধা কবি নিব পাবিব ইত্যাদি। কোনোবাই কৈছিল, টকাৰ কথা আক কি ছোৱালীজনীকে পাব বিমলে, কোনোবাই কৈছিল ছোৱালীৰ সুন্দৰ চাহনিতে ডাক্তৰ মজিছে ইত্যাদি। বিমলৰ মনৰ ভাব কিন্তু বুজা টান। এইটো বোধ হয় ঠিক কমলাৰ প্রতি তেওঁৰ এটা মৰম উপজিছিল। লেখা পঢ়া নিশিকা, অনাত্ম পালিতা ছোৱালীৰ প্রতি তেওঁৰ আগবে পৰা এটা অশ্রদ্ধা আছিল। কমলাৰ কথা বতবা দেখি শুনি তেওঁৰ মনটো অলপ কুমলিব ধবিলে। স্নেহ মমতা হয়তো এই ছোৱালী বিলাকৰ কাতোঁকৈ কম নহয়—কিন্তু সংসাবৰ কঠোৰ কর্ত্তব্য বিলাকত যত বিচাব বিবেচনা সংযম আদিৰ প্রয়োজন তাত এনে বোৰ ছোৱালী কিমান যে উপযুক্ত সেই বিষয়ে তেওঁৰ সন্দেহ থাকিল। মাজে মাজে কমলা আক—লতাৰ তুলনাও তেওঁৰ মনত উদয় হয় ধবা যেন লাগিল। কিন্তু সি অতি কম সময়ৰ বাবে। কমলাৰ চিন্তা হল তাইৰ অৱৰ বাবে সবিব ধবা দুদিলাক কেনেকৈ আগৰ দবে ঘন আক দীঘল কবি তোলে। মাজে মাজে বিমলৰ মধুৰ ব্যবহাৰ, কপালত কোমল হাত বুলনি, নিজৰ অন্যায় ঘাচি, ভাত বা আন অপথ্যৰ প্রতি লোভৰ কথা মনত পবি লাজ লাগিব ধবিলে, কেতিয়াবা



আসাম সাহিত্য সভাৰ ১৩৫৬ বঙ্গাব্দৰ সভাপতি
বাজকুমাৰ শ্রীযুক্ত যোগেশ্বৰ শর্ম্মা, বি-এল্ (তেজপুৰ নিবাসী বৰুৱাগোষ্ঠী), শ্রীযুক্ত এচ্, বৰুৱা, বি-এল্, বাৰ এট্ লাৰ্ড, শ্রীযুক্ত অনন্দ চন্দ্র অগৰৱালা বাহাদুৰ (নগাঁৱনিবাসী), শ্রীযুক্ত অম্বিকা, বি-এল্, (বৰা, বি-এল্, শ্রীযুক্ত কালিকা দত্ত, এম্-এ, শ্রীযুক্ত দুর্গা দাস শ্রীযুক্ত আৰ শর্ম্মা, বি-এল্, (তেজপুৰ নিবাসী সম্পাদক), তেজপুৰী, বি আইনজীৱী, বি-এল্ (আসাম সাহিত্য সম্পাদক)
ফুলেল আৰু চাহৰা ফোন, কলিকতা

ভাল লাগিব ধৰিলে। বৰ মহৰী আৰু তেওঁৰ পৰিবাৰৰ মনত আৰু কমলাৰ বিষাৰ ভাবনাই ঠাই ললে। এই বিলাকতকৈ দেখোন বেমাৰৰ সময়ৰ উৎকণ্ঠাই বৰং ভাল আছিল। তাত বৰ বেছি ভয় আছিল, হয়তো কমলা মৰিব পাৰে—এই মাত্ৰ। কিন্তু বয়স পোৱা ছোৱালী বিয়া নিদিয়াকৈ ঘৰত ৰখাৰ কলঙ্কৰ যে ওখলৈ ঠাই নাই। কি কৰে এতিয়া, বিমলৰ মন এতিয়াও ঘুৰা নাইনে? এতিয়াও তেওঁ টকাৰ অন্যায় দাবীকে কৰি থাকিবনে? বেমাৰৰ সময়ত বিমলৰ যত্ন পৰিচর্য্যা চাই কোনে কব তেওঁ যে অন্যমত কৰিব। আশাত বুক বান্ধি আৰু এবাৰ কথাটো তুলি চোৱাই উচিত বিবেচনা কৰিলে।

* * * *

বিমলে ৰাতি থলি কমলাৰ শুশ্ৰূষা কৰিছে হয় কিন্তু দিনত কামৰ ক্ষতি নাই। জিৰণি লব পাওক ভাবি খাটনি বেছি হৈছে। সেই সময়টোত কুলী বিলাকৰ মাজতো জ্বৰ প্ৰায় ব্যাপকভাবে দেখা দিছে। সিইতৰ তদাৰক কৰোতে বিমল ক্লান্ত হল। সেই দুৰ্ব্বলতা যেন যাব নোখোজে বাহিবত ভালেই, থাইছে লইছে কিন্তু ভিতৰে ভিতৰে শৰীৰ যেন ভাঙি পৰিব খোজে দুই এজনে তেওঁৰ মুক্তি দেখি কৈছিল, তেওঁৰ চিন্তাৰ। সোনকালে বিয়াগন পাতি পেলালে মানসিক ব্যাধি এনেয়ে ভাল হব। তিবোতাৰ মহলত তো একৰকম স্থিৰ সিদ্ধান্তই হৈ গৈছিল যে বিমলৰ এই শাৰীৰীক কাতৰতাৰ মূলকাৰণ কমলা। বৰ মহৰীয়ে সিদিনা কমলাৰ আৰোগ্যৰ বাবে বুলি এটা বিৰাট ভোজৰ আয়োজন কৰিলে। ২খন বেলেগ বাগিছাৰ বন্ধু বান্ধবক নিমন্ত্ৰণ দিলে। খাহি মবা হল। অসমীয়া বান্ধনীৰ আজা বেয়া হব বুলি, বঙালী নিমন্ত্ৰিত সকলৰ তৃপ্তিৰ অৰ্থে ওজন বঙালী বাবুৰ গৃহিণীৰ হাতে বন্ধাৰ ভাৰ দিয়া গল। বিমলক নিজে বৰ মহৰীয়ে নিমন্ত্ৰণ কৰি আহিল। গা বেয়া থাকিলেও ভদ্ৰলোকক সন্তুষ্ট কৰিবলৈ তেওঁ আহিবৰ বাধ্য হল। গেষ্টোমাক্স লেম্প জ্বলিল, তাচ, পাশা, দাবা পুৰাদমে চলিল। গ্ৰামোফোনত বঙলা গান পাৰে মানে বাজিব ধৰিলে, মাজতে বঙালী নৰ্ত্তকীৰ মধুৰ অসমীয়া গানেও অসমীয়া শ্ৰোতা সকলৰ কাণত সুধা বৃষ্টি কৰিলে। পুঞ্জাৰ সময় নহয় বুলিহে ভাগ্যে বাইজৰ আমদানি নহল। নেপথ্যে বাজনাস্তিকে দুই চাবিয়ে দেশী বিলাতী পানী পিলে। ৰাতি প্ৰায় ১মান বজাত থোৱা লোৱা শেষ হল। সিদিনা সকলোৱে যেন বিমলৰ কাৰণে বিশেষ ব্যস্ত যেন দেখা গল। তেওঁৰ উদ্দেশ্যেই যেন সকলো আয়োজন। শেষত বান্ধনীক বাহাবা দি, গৃহস্থক সন্ত্ৰাদ দি, আয়োজনৰ তাৰিফ কৰি সকলো বিদায় ললে। দুবৰ বিলাকে বন্ধু বৰ্গৰ ঘৰে ঘৰে বাকী ৰিনি ৰাতি কটাবলৈ দিহা কৰিলে।

* * * * *

পিছ দিনা বিমল সাৰ পালে ৯মান বজাত। কামৰ ৰিবিকি মেলা মাত্ৰে চ'ত মাহৰ উজ্জ্বল সূৰ্য্য কিৰণে তেওঁৰ টানি মেলিব নোৱাৰা চকুত জুইৰ কাড়ৰ দৰে লাগি ধৰিলে। অতি কষ্টে আঙ্গামুৰি দি ৰিছনাৰ পৰা নামিল। গোটেই গাতে যেন বিহ সুৰ ফাটি পৰিব খোজে। লেপ আঠুৰা সেই ভাবে এৰি লৰা লৰি কৰি মুখ ধন ধুই চাহ টোপা খালে, আৰু ডাক্তৰ খানীলৈ বেগ দিলে। তাত দেড় ঘণ্টা মান থাকি কাম শেষ কৰি লাইনত থকা বোগা চাবলৈ ওলাল। দুই তিনটা লাইনত ঘুৰি যেতিয়া তেওঁ ফিৰিল তেতিয়া বেলা প্ৰায় ২ মান বাজিছে, চকু দুই যেন ৰঙা, গা তপত, অৰ ফাটি উঠিছে। মেজত ৰাঢ়ি থোৱা ভাত এৰি ঠাকুৰক তপত পানী এক বাল্টি আনিব দিলে আৰু কাপোৰ কানি সজাই, তাবে হাত ভৰি ধুই ৰিছনাত বাগৰি পৰিল। ৪মান বজাত কম্পাউণ্ডাৰ আহিল। তেওঁৰ হাতত এখন ছুটীৰ দৰখাস্ত লিখি দি নিজৰ কাৰণে এটা ঔষধৰ ব্যবস্থা দি পঠালে। কম্পাউণ্ডাৰৰ পৰামৰ্শ মতে ঠাকুৰ সিদিনা বিমলৰ কোঠাতে থাকিল। ৰাতিলৈ জ্বৰ বাঢ়ি উঠিল মাজে মাজে প্ৰলাপ বকিলে। বাবে বাবে পানী খালে। শেষ ৰাতিহে অলপ শান্ত ভাব দেখা দিলে। পুৱা জ্বৰ কম পৰিল হয় কিন্তু ১২ মান বজাৰ



প্ৰকাশ সাহিত্য কুটীৰ, শান্তিপুৰ [নদীয়া, পশ্চিম বঙ্গ]

পৰা আৰু অৱ উঠি আহিব ধৰিলে। ৱমান বজাত যে অৱ টানেই খৰৱ লব অহা ভদ্রলোক দুজন মানে যত্ন কৰি পানী ঢালি অলপ সাম্য কৰি ৰাখিলে। জগত বকৰা আহি ৰাতি থাকিল। ছুটিৰ ৭ দিন এই এক গতিবে অৱ চলিল। যথেষ্ট অৱস্থ হল। কাৰণ নিজৰ লৰা তিৰোতা এৰি তেনে ঠাইত অতি কম মানুহহে আহি বিমলৰ কাষত থাকিবলৈ গাত ললে। দিনটো থাকে ঠাকুৰৰ তত্বাৱধানত। চিকিৎসাও কৰিছে কপাউণ্ডৰে। ৭ দিনৰ পাচত ৰাগিছাটৈ এজন নতুন ৰঙালী ডাক্তৰ অস্থায়ী ভাবে আহিল। গ্রেইনক গ্রেইনে কুইনাইন খুৱাতো যেতিয়া অৱ নেৰিলে তেতিয়া ডাক্তৰ বিৰ্ত্তি হল। ৰাগিছাৰ মেডিকেল অফিছাৰ জন কাৰ্য্য গতিকে তালৈ এদিন আহি বিমলৰ সান্নিপাতিক অৱ বুলি নির্ণয় কৰি গল। সকলোৰে ত্রাস লাগিল। মেয়ে আগৰ কথা জানে সেয়ে আশা কৰিলে ৰ মহবীৰ পৰা বিমলৰ যত্ন চেষ্টা ভাল হব। কিন্তু তেওঁৰ নিজৰ জীয়েকৰ বেমাৰতে সেই আকতো বিমল। ৰাতি খপিলেই তেওঁৰ সেই ডাঙৰ মানুহৰ হোৱা বেমাৰ 'ব্রড প্রেছৰ' নে কি সেইটো আৰম্ভ হয়। কেনেকৈ? বিমলৰ ঘৰলৈ টেলিগ্রাম কৰা হল। পিছ দিনাখন ৰাতি দহ বজাত ডাঙৰ ভায়েক কৰুণা আৰু মাক যশোদা আহি ৰাগিছা পালে। বন্ধুবৰ্গই এক প্রকাৰ নিষ্কৃতি পালে, ঠাকুৰ চাকৰেও উশাহ লৈ বর্ত্তি লে, কিন্তু বিমলৰ মাক দাদায়েক আহিল হয় কিন্তু শুশ্রূষাৰ বিশেষ সুবিধা নহল। মাক বুঢ়া মানুহ সান্নিপাতিক অৱৰ বোগীৰ কেনে যত্ন লব লাগে নাজানেই। কৰুণাৰ ফালেও তেনেই। তেৱোঁ এনে বেমাৰীৰ কাষত থাকি পোৱাই নাই। তাৰ ওপৰত ৰাগিছাৰ গোলাৰ চাঙ দুনা কুলীৰ গাখীৰ আৰু মাজে মাজে ছটা এটা আধা পকা দালিমৰ বাজে পথ্য বুলিবলৈ একো নাই। বিমলৰ অৱস্থাৰ একো পৰিবৰ্ত্তন দেখা নগল। অৱ আছেই, বেছি ভাগ সময়ত অচেতন অবস্থা। ডাক্তৰ বাবুই বিবুদিহে মাত্র কয় Nursing নোহোৱাৰ বাবে তেওঁৰ ঔষধে কাম কৰিব পৰা নাই। বেমাৰীৰ অৱস্থাৰ কথা সুধিলে এনে অদ্ভুত গ্রীক নে লেটীন শব্দবোৰ ব্যবহাৰ কৰে যে তেওঁৰ সমান বিদ্যাৰ ডাক্তৰ নহলে আন প্রাণীয়ে বুজিবই নোৱাৰে। কাৰো বুজিবলৈ বাকী নৰল যে বিমলৰ অৱস্থা বিষম। তাতে আকৌ যশোদাক লৈও এক আপদ মিলিল। তেওঁ যত্ন পৰিচর্য্যাৰ সহায় হব কত তেওঁৰ বুজাই বৰাই বাধি বলৈ মানুহৰ দৰ্কাৰ হল। ওচৰত এৰাব নোৱাৰা আত্মীয় কুটুম নাই। বোগীৰ লগত থাকি দুর্ভাবনা দুশ্চিন্তাত কৰুণা নিজেই বোগী যেন হৈ পৰিল। কৰুণাই এতিয়াহে বুজিলে সময়ত শক্ততা কৰিলেও নিজৰ মানুহৰ প্রয়োজন কেনে। ডাক্তৰে দিন গণি পিটি জনাই দিলে যে ২১ দিনৰ দিনাহে বিশেষ সাবধানৰ দিন। সেই দিনা যদি কোনোমতে ভালকৈ কটাব পৰা যায় তেহে বক্ষা। তেওঁৰ সাধ্যমতে তেওঁ যত্ন কৰি চাইছে, বাকী খিনি ভগবানৰ হাতত। সেই সাংঘাতিক ২১ দিন লৈ মাজতে মাত্র তিনটি দিন আছে।

* * * *

ওৱাহাটীত—বৰাই যেতিয়া বিমলৰ সান্নিপাতৰ খবৰ পায় তেতিয়াই খবৰ সুধি উলিয়াইছিল অৱ কেতিয়া আৰম্ভ হয়। আৰু ওচৰৰ ৰাগিছাত থকা এজন চিনাকী মানুহৰ হতুৱাই বিমলৰ বোগৰ অৱস্থা এদিন অন্তৰে অন্তৰে গোৱাৰ দিহা কৰি নৈছিল। সেই খবৰৰ পৰা যেতিয়া শুনিলে যে বোগীৰ অৱস্থা ভাল নহয় তেওঁ অস্থিৰ হল। চিঠিখন পঢ়ি লতাৰো মুখ চকু সাত্রিক হোৱা মানুহৰ দৰে জলি উঠিল। এক নিমিষৰ অস্বাভাবিক গাম্ভীর্য্যৰ পাছত কপালত দৃঢ় প্রতিজ্ঞাৰ ঘন বেখা ফুটি উঠিল। ঘৰৰ সকলোটি নীৰবে গোট খালে কাৰো মুখত কথা নাই। লতাৰ সহজ অথচ দৃঢ় স্বৰে সকলোকে চকিত কৰিলে। লতাই কলে "আজি ৰাতিৰ গাৰীতে বলক পিতা। লগতে নীলকণ্ঠ কবিৰাজক লক। এই বেমাৰত তেওঁ ডাক্তৰ আদিতকৈ ভাল। যি টকা লাগে মোৰ পাছ বহিৰ পৰা দিম।" কোমল মাতেৰে বৰাই কলে "বিধাতাৰ ইচ্ছা পূর্ণ হক, তই যাবৰ দিহা কৰ। মই কবিৰাজক

উলিয়াই আনোৱেই" লতাই তেওঁক অলপ ৰৰ কৈ ভিতৰ সোমাল আৰু অলপ পাছতে এখন বেঞ্চৰ পাছ বহি আৰু ফর্ম্ম চহি কবি আনি তেওঁৰ হাতত দি কলে "ডাক ঘৰেদি যাওক ৮০০্টকা উলিয়াব তাবে কবিবাজক মি লাগে আগধৰি দিব অনুপান আৰু পথ্যৰ বাবে মি লাগে তেওঁৰ উপদেশ মতে কিনি লব বেল এৰিবলৈ ৪ ঘণ্টা মানৰ বেছি নাই।" বৰাই, কিবা কব খুজিলে। লতাই হাক দি কলে "যাওক পিতা সময় বৰ কম। কালি ২১ দিন পূর্ণ হব। বৰা বেগাই ওলাই গল, লতা যোৱাৰ কাৰণে সাজু হব ধৰিলে। মাকে কথাটো বৰ ভাল নেদেখিলে। তেওঁ লতাক বুজাই বৰাই থৈ নিজেই যাবৰ প্রস্তাব কৰিলে লতাই কলে যে এই ক্ষেত্রত তেওঁ যাবই যাব। বিমলৰ মঙ্গল এফাল আৰু সমাজ সংসাৰ নিন্দা গৰিহনা সকলো এফাল। মাক মনে মনে বল। ৰাতিৰ গাড়ীতে বৰা, লতা, কবিৰাজ আৰু চাকৰৰ লৰা এটা ৰাগিছা মুখে যাত্রা কৰিলে।

* * * *

কৰুণাৰ পক্ষে সেই দিন অবর্ণনীয়। ডাক্তৰে একবৰম শেষ জবাব দিছেই। বাতিটো গলেহে যোৱা। বাহিবত জুমে জুমে ৰাগিছাৰ বাবু সকলে আনাঘুনা কৰি কথা পাতিছে। সকলোবে মুখ সন্দেহাকুল আৰু বিষণ্ণ। কোনোবে ডাক্তৰক দোষ দিছে, কোনোবে কপালক দুষিছে। ভিতৰত কৰুণাই চকুলো টুকি টুকি বিমলৰ গুৰিত লাগি আছে, আন মানুহো দুই এজন লগত। যশোদা প্রায় আধা মবা আধাজীয়া। ভিতৰৰ কোঠাটোত তেওঁক ওচৰৰ গাঁৱৰ দুজনী মান তিবোতা আহি বাখি আছে। মাজে মাজে দুই এক দল ৰাগিছাৰ ভদ্রমহিলা আহি দুৱাৰ মুখৰ পৰা বিমলক চাই দুখ পতিয়াই গৈছে। কমলাক কিন্তু মাকে আহিব দিয়া নাই, যদিও বেচাৰীয়ে হবাবো কাপোৰ কানি পিন্ধি ওলাইছিল। বিমল অচেতন, চকুজাপ খোৱা, দেহ অসাৰ—হাড়ছালে লগা। দুই মান বজাত এখন গাড়ী আহি ডাক্তৰ খানাৰ দুৱাৰ মুখত লাগিল। দুজন বয়সীয়াল মানুহ আৰু এজনী ছোৱালী গাড়ীৰ লগে লগে পোজকাড়ি আহিছে। ৪টা মান স্যাটকেচ আৰু বিছনা লৈ এটা লৰা গাড়ীৰ পৰা নামিল। সকলোবে চকু সেই ফালে গল। তেওঁলোকে কাৰো ফালে নাচাই গহীন ভাবে ঘৰ সোমাল। কৰুণাই বিমলৰ মুখত বৰফৰ বেগটো ধৰি আছিল। বৰা আৰু কবিবাজক দেখি, একেচাবে উঠি আহি দুয়োকে সাবটি ধৰি উচুপি উচুপি কান্দিব ধৰিলে। লতা গৈ কম্পিত পদে কৰুণাৰ আসন গ্রহণ কৰিলে। বৰাই কৰুণাক ধৰি বাহিবলৈ আনিলে, আৰু কবিবাজেৰে সৈতে ভৱিষ্যৎ ওপৰতে বহিল। আন আন বাহিবত থকা বিলাকে তেওঁলোকক আগুৰি ধৰিলে। বৰাই সুধিলে "বোপা বিমল কেনে আছে?" কান্দোনৰ মুখত কৰুণাই উত্তৰ দিলে "কব নোৱাৰো, মোৰ গাত তত নাই। মাত্র আজি ২১ দিন।" বৰাই কলে "বিপদত ধৈর্য্যই ঔষধি। ডাক্তৰ কত?" এজনে কলে যে তেওঁ অলপ আগতে বাহাৰ ফালে গৈছে। ডাক্তৰক মাতি পঠোৱা হল। ১০ মিনিট মানতে ডাক্তাৰ আহি ওলাল। বোগীৰ অবস্থা সম্পর্কে তেওঁ কলে যে এতিয়া প্রায় চিকিৎসাব বাহিৰ। তেওঁৰ সাধ্য অনুসৰি যত্ন কৰি চাইছে। ঈশ্বৰৰ ইচ্ছাৰ ওপৰত সকলো নির্ভৰ কবে। বৰাই জনালে তেওঁ কবিবাজৰ চিকিৎসা কৰিব খোজে; কৰুণাৰ বা ডাক্তৰৰ তাত কিবা আপত্তি আছে নেকি? ডাক্তৰে প্রথমেই জনালে যে তেওঁৰ গাত যদি দোষ নিদিয়ে তেন্তে কবি চাব পাবে। ঈশ্বৰৰ ইচ্ছা হলে মবা মানুহোতো মবিশালিত জী উঠে। কৰুণাই সবাৰ ওপৰতে সকলো ভাৰ অর্পণ কৰিলে কবিবাজ ভিতৰলৈ সোমাই গল বহপৰ মনযোগ দি নাড়ী চালে আৰু বাকচ মেলি এপালি ঔষধ অনুপান আৰু কিস্তিবে সৈতে আনি বৰাৰ হাতত দিলে। সেই পালি ঔষধ কোনো প্রকাৰে মুখত ঢালি দিয়া হল, কিন্তু ভিতৰলৈ গল কিছু বাহিৰ ওলাই আহিল। তেওঁ সেই ঔষধকে আৰু আধা ঘণ্টা পলমে খুৱাব কৈ আন ঔষধৰ আয়োজনত ধৰিলে। জগত বকৰা আহি তেওঁলোকৰ গা ধোৱা জলপান খোৱা আদিব তদাৰকত লাগিল।

* * * *

ভীষণ উৎকণ্ঠাৰ বাতি। ডাক্তৰ খানাৰ কাথিত, বাহিৰত সকলোতে বাগিছাৰ ভদ্ৰলোক বিলাক আহি বৈ আছে। এবাৰ বাগিছাৰ ডেকা মেনেজাৰ চাহাবো বিমলক চাই কবিবাজৰ লগত ঔষধ সম্পৰ্কে আলোচনা কবি গৈছে। ভিতৰত বিমলৰ ওচৰত স্থিৰ নিষ্কম্পা প্ৰদীপৰ দৰে লতা। কাষত দুখন মাটিয়াত ববা আৰু কবিবাজ মাজে মাজে বিমলৰ হাতত ধবি নাড়ী চাই আছে। বিছনাৰ এফালে কম্পাউণ্ডাৰ আৰু দুজন মান কম বয়সীয়া লবা কামিজৰ হাত কোচাই শুশ্ৰূষাত সহায় কবিছে। কৰুণাই শুকান মুখে এটা খুটাত আউজি আছে। সিফালৰ কোঠাটোত মাটিত বিছনা এখন পাৰি যশোদা এবাৰ উঠিছে এবাৰ শুইছে। লাহে লাহে বাতিৰ গভীবতা পাতলি আহিল। নিবিষ্ট মনে নাড়ী চাই চাই কবিবাজৰ মুখ উজল হৈ অহা দেখা গল। সকলোৱে আকুল নয়নে কবিবাজৰ মুখৰ ফালে চালে। কেবা দিনো জড় আৰু বাকহীন হৈ থকা বিমলৰ মুখত এটা ক্ষীণ উদ্দীপনাৰ ভাব স্পষ্ট হৈ উঠিল। শেষত শব্দ দুটিল "আ—ই!" আনন্দ আবেগত ববা আৰু কৰুণাৰ চকু ফাটি পানী স্ৰবিব ধবিলে। কবিবাজে কৈ উঠিল "আৰু ভয় নাই ঈশ্বৰে মুখ তুলি চাইছে!" অলপ আগতে কলা ঘুমটীয়া হৈ পৰি যশোদাই এটা সুন্দৰ সপোন দেখি আছিল। বিমলৰ ক্ষীণ কণ্ঠৰ শব্দ তেওঁৰ কাণত পৰি চকু খাই উঠি আহি "বাপা বিমল!" "বুলি বিমলক সাৱটি ধবিলে। লতাই লাহেকৈ তেওঁৰ হাতত ধবি কলে "ৰব আকুল নহব আই। বাতিটো পুৱাৰ দিয়ক ভালকৈ।" যশোদাই লতাৰ মুখৰ ফালে চাই কলে "ঈশ্বৰ মোৰ সপোন সফল কবক। বিমলৰ সকলো ভাৰ মই তোৰ ওপৰত দিলো। সাবিত্ৰীৰ দৰেহ আই!" লতাই আনন্দাশ্ৰু টুকি আশীৰ্ব্বাদ গ্ৰহণ কবি লুটি খাই যশোদাৰ পদধূলি ললে। কোনোবা দুৰ দুৰণিত এটা কুলিৰ কোমল বাগিণী সেই ফালে ভাহি আহিব ধবিলে।

চেনেহী আই অসমা

মঙ্গলবৈত বহা অসম সাহিত্য সভাৰ ১৫ শ অধিবেশনত শ্ৰীযুত পদমেশ্চন্দ্ৰ দাস গুপ্ত বি-এলৰ দ্বাবা পোৱা হৈছিল।

গীত— —শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী বি-এল

তুমি মোৰ মহাতীৰ্থ! বাজে ই সুৰ অহর্নিশি—
জননী মোৰ জন্মভূমি স্বৰ্গাদপি গৰিয়সী!
দুৰ-দিগন্ত ভৰা তোমাৰ কত লীলা, কত গান;—
কিহৰ দুখত দোৱাবা শিব, কিহৰ শোকত হবা ম্লান?
কোন অতীজৰ জ্যোতিৰ্ম্ময়ী, জিলিকিছে মহিমা,—
গিৰি-শিবে গিৰি-বাণী—
চিবোদ্দীপ্ত গৰিমা
চিব স্নিগ্ধ প্ৰতিমা
—চেনেহী আই অসমা!

উচ্চ তোমাৰ শৈল-শিখৰ, মুক্ত মাকত মুক্তাকাশ,
কিহৰ দুখত দোৱাবা শিব, কিহৰ শোকত হবা ত্ৰাস?
দীনা হীনা হলেও মোৰ ত্ৰিবোত্তপ্ত চেতনা;—
তুমি আমাৰ অগ্নি-বীণা—
চিব তীব্ৰ প্ৰেবণা
ককণ মৰ্ম্ম-বেদনা
—চেনেহী আই অসমা!

ছদ্মবেশী

—শ্ৰীযুত শান্তিৰাম দাস বি-টি

ঋণ-পবিশোধ

গুৰুবাবে বাতিপুৱা লৰ্ড উইলিঙ্গাম্ ভেনৰ মৃত্যু খবৰ চাবিওপিনে বিয়পি পবিল। শোকসন্তপ্ত পবিয়ালৰ অৰ্থাৎ লেডী ইছাবেলৰ কত ঠাইৰ পবা কত সমবেদনা সূচক চিঠি পত্ৰ আহিল সীমাসংখ্যা নাই। আৰু তাৰ লগে লগে মহাজন বোৰ, দোকানদাৰীবোৰ বন্ধৰ পৰিচালকবোৰ, শনিবাৰে বাতিপুৱা স্বৰ্গীয় উইলিয়ামৰ বাজভৱন ভবি পবিলহি। তাৰ ভিতৰত কিছুমান সভা ওজাই; কেতবোৰ একে লগে টকা লাগে টকা লাগেকৈ ধৈর্য্যহীন; কেতবোৰ ছদ্দান্ত আৰু কেতবোৰ বা মবাশটোকে গ্ৰেপ্তাৰ কবিবলৈ প্ৰস্তুত।

পাওনাদাৰ সকলৰ মাজৰ পবা দুজন দেখিবলৈ কুদ্ধ মানুহ একেবাৰে বাৰান্দাত উঠিলগৈ। তাকে দেখি নিগিবী জনীয়ে সুধিলে,..."কি লাগে?" সিহঁতে উত্তৰ দিলে, "ফকিন আহি পাইছেনে?"

"নাই, এতিয়াও পোৱাহি নাই।"

"অ, তেনেহলে বাটতে আছে, এই পাবহি এগোন। ইয়াৰ ভিতৰতে আমি মবা-শৰ ওচৰলৈ গৈ—লাগতিয়াল বস্তুবোৰ যোগাৰ কৰোঁগৈ।" সিহঁতে ওপৰত থকা বজাৰ শোৱনি ঘৰৰ মৃত্যু শয্যাৰ ওচৰলৈ যাবলৈ ওলাল।

তাকে দেখি লিগিৰীজনীয়ে চৌকিদাৰ জনক মাতি আনি সিহঁতৰ লগ লগাই দিলে। হোজা চৌকিদাৰ জনে সিহঁতক লৈ গৈ একেবাৰে বজাৰ শোৱনি ঘৰৰ দুৱাৰ দলিত বৈ আহিল গৈ। সিহঁতে চৌকিদাৰ জনক ধন্যবাদ দি কলে "এয়ে হব ডাঙ্গৰীয়া, তুমি এতিয়া যোৱাগৈ, তোমাক আৰু বেছি আমনি নকৰোঁ।" চৌকিদাৰ জন গুছি গলগৈ। সিহঁতে কোঠালীটোৰ দুৱাৰ বিবিকি আটায়েকে বন্ধ কবি দুয়ো মৃত্যু শয্যাৰ দুয়োকাষে বহিলগৈ আৰু মবা শটোৰ ওপৰত এখন গ্ৰেপ্তাৰী পৰওয়ানা থৈ তাতেই পবদি বহি থাকিল তাৰ অৰ্থ—সিহঁতৰ পাওনা টাকা আদায় নহয় মানে সিহঁতে মবা-শটো কাকো চুবলৈ নিদিয়ে। কি বঢ়িয়া কাম!

এঘণ্টামান পিছত লেডী ইছাবেল মৃত পিতাকৰ কোঠালীত সোমাগৈগৈ। দেখে যে দুজন দেখিবলৈ কুদ্ধ অপবিচিত মানুহ যমদূতৰ দৰে পিতাকৰ বিছনাত দুয়ো কাষে বহি আছে। ইছাবেলৰ গা শিহঁৰি উঠিল; তথাপি ধৈর্য্য ধবি লাহেকৈ সুধিলে, "তোমালোকক কি লাগে?" সিহঁতে গদ্গদকৈ উত্তৰ দিলে, "সোধাবাবে পবম বাঞ্ছিত হলোঁ কুঁবৰী, ধন্যবাদ। আমি ভাল আছোঁ।" সিহঁতে যতে বহিছিল, ততেই বহি থাকিল। ইছাবেলে আকৌ সুধিলে, "ইয়াতৈ কিয় আহিছা? ইয়াত বহি বহি কি কবিছা?"

"বাজকুঁবৰী, সেই প্ৰশ্নৰ উত্তৰ দিয়া আৱশ্যক যেন নাভাবোঁ, কাৰণ তুমি বোধ হয় মৃত বজাৰ জীয়েক। তুমি জানা যে এণ্ড অৰ্থাৎ তোমাৰ পিতাকাই আমাৰ মহাজনক বহুত টকা দিব লাগে। মহাজনে মৃত্যু খবৰ পাইেই আমাক তেওঁৰ মবা শটোকে গ্ৰেপ্তাৰ কবিবলৈ পঠাইছে—আৰু দেখিছা নহয়নে—আমিও তাকেই কবিছোঁ।"

কথা শুনি ইছাবেলৰ মৃবত স্বৰণ ভাগি যেন পবিল। ভয়তে তেওঁ বিচুৰ্ত্তি খালে। 'মবা শ গ্ৰেপ্তাৰ! তেওঁ জনমতো এনে কথা শুনা নাই! কেনেকৈ বিশ্বাস হয়? মবা শ গ্ৰেপ্তাৰ! কিহৰ বাবে? তাবে কি কবিব? নাজানো একো নাজানো।' লেডী ইছাবেল উশাহহীন হৈ ওলাই গল।

বাহিৰলৈ গৈ দেখে যে চাঁবা ঘৰত মহা হুলস্থুল—

কতজনে কি কৈছে। ইছাবেলৰ মুৰ ঘুৰি গল। চৌকিদাৰ জনক মাতি আনি সুধিলে, "এইবোৰ কিহৰ হাই উকমি ?"

ইছাবেল সেইফালে আগবাঢ়ি ঘোৱাযেন দেখি বুঢ়াজনে বাধা দি কলে, "নাযাব আইদেও নাযাব ; সেই দুৰ্দান্ত পিশাচ বোধৰ মাজলৈ নাযাব। আপুনি তালৈ গৈ একো কৰিব নোৱাৰে। মই মিঃ কার্লাইলক আনিবলৈ মানুহ পঠাইছোঁ তেখেতে এতিয়াই পাবহি।"

ইছাবেল পিতৃশোকত অস্থিৰ, তাতে আকৌ এইবোৰ ঘটনা। তেওঁ সুধিলে "তেনেহলে পিতাই ইষ্টকৰ সকলোকে টকা দিব লাগে ?"

"হয় আইদেও,—সকলোকে দিব লাগে। কাকো দহ হাজাৰ, কাকো কুড়িহাজাৰ, কাকো বা ৪।৫ হাজাৰ, কাকো বা হাজাৰ হাজাৰ আৰু গুচবাকৈ ২৪ শবতো কথাই নাই। তেখেতে ধাবতে একেবাৰে পোত খৈছিল"

কথা কোৱাৰ লগে লগে ইছাবেল—চবা ঘৰৰ দুৱাৰ দলিত পিন্ধ হলগৈ। তেওঁক দেখিয়েই চাবিওফালৰ পৰা পাওনাদাৰ সকলে বেঢ়ি ধৰি কবলৈ লাগিল। বাজকুঁৱৰী, পিতাকৰ মোক দহহাজাৰ দিব লাগে ; আৰ এজনে কলে—মোক কুড়িহাজাৰ,—আৰু জনে কলে মোক চাৰি হাজাৰ—কত জনে কত কলে সীমা সংখ্যা নাই। ইছাবেল শিলৰ মূৰ্ত্তি যেন হৈ তাতেই থিৰ দি থাকিল। এনেতে মিঃ কার্লাইল ঘটনাস্থলত উপস্থিত হলহি আৰু চকু বঙাকৈ চাবিওফালে চাই কলে, "তোমালোকক ইয়াত কি লাগে ?"

"আপুনি যদি বজাৰ কোনো বন্ধু বান্ধৱ হয় তেন্তে আপুনি আমাক কি লাগে নিশ্চয় জানে। আমাৰ ঋণ পৰিশোধ কৰিব লাগে।"

"কিন্তু, ই ধাৰ সাধিবলৈ আহা ঠাই নহয়। ইয়ালৈ আহিলে তোমালোকে একো নোপোৱা। ওৱাৰবাৰ্টন কোম্পানীলৈ ঘোৱাগৈ।"

"আমি তালৈ গৈছিলোঁ। ডাঙবীয়া। তেওঁলোকে উত্তৰ দিছে যে তাত বজাৰ—কণাকড়ি এটাও জমা নাই—একো নাপাওঁ।"

"সেয়ে তেনেহলে ; তোমালোকে ইয়াত একো নোপোৱা। তোমালোকক অনুবোধ কবিছো—ইয়াৰ পৰা গুছি যোৱা।"

"আমাৰ ঋণ পৰিশোধ নকৰে মানে আমি কোনোমতে নাযাওঁ।"

কার্লাইলে গহীনভাৰে কব ধৰিলে, "তেন্তে তোমালোকক সাৱধান কৰি দিওঁ যে তোমালোকৰ বিপদ ঘটব। তোমালোকে এজন অপৰিচিত মানুহৰ ঘৰত সোমাইছাহি। এই ঘৰ লৰ্ড উইলিয়াম ভেনৰ নহয়। তেখেতে বহুত দিন আগতে এই ঘৰ বাৰী সকলোকে বিক্রী কবিছে।"

কথাশুনি সিইতৰ কিছুমানে হাঁহিলে আৰু কলে, "আমি বঢ়িয়াকৈ জানো। এইবোৰ মিছা ফাঁকি মাথোন।"

কার্লাইলে দীৰ সুস্থিৰভাৱে সিইতক বুজাই কৈ গ'ল "শুনা তেনেহলে। এই মহলটো, ঘৰ দুৱাৰ আৰু ঘৰৰ ভিতৰত থকা সকলো বস্ত্ৰ-বেহানিবে সৈতে মাহ চেৰেক আগতে আইনমতে বিক্রীপত্রে লৰ্ড উইলিয়মৰ হস্তান্তৰ হৈছে। তেওঁ এই কেইদিন ইয়াত অতিথি স্বৰূপেহে আছিল। কথা সঁচা নে মিছা, তেখেতৰ আমোলাকৰ সোধাগৈ।"

কথাশুনি বন্ধুবান্ধিতৰ মুখ শুকাল। সুধিলে, "এই ঘৰ দুৱাৰ কোনে কিনিলে ?"

"ৰেষ্টলিনিৰ মিঃ আৰ্কিবল কার্লাইল চাহাবে। তেওঁ এজন খ্যাতনামা উকীল, বোধ হয় তোমালোকৰ বহুতে তেওঁক জানা।"

"হয় শুনিছো, তেখেত পিতাকৰ নিচিনা এজন চোকা উকীল হেনো।"

"তেঁৱেই মই। আৰু যেহেতু—তোমালোকেই কৈছা যে মই এজন চোকা উকীল, তেনেহ'ত মই কোনো কাম কেচাকৈ বাখা নাই—সকলো কাম একেবাৰে পকাকৈ কবিছোঁ। এতিয়া ইষ্টলিনিৰ ঘৰ-দুৱাৰ যাত যি আছে—সকলো মোৰ ; মৃত স্বৰ্গীয় লৰ্ড উইলিয়মৰ একগলো বস্ত্ৰ বেহানি নাই।"

কথাশুনি বেচেৰাইত মৃতপ্রায় হ'ল—পাওনাৰ সকলো আশা ভবসা মাটি হ'ল "এনেকুৱা মূর্খ, দুষ্ট, লম্পট দোৱা খুলিয়া মানুহ কতো দেখা নাই। নিজে মৰিল, আমালোকেকো খাই গ'ল।" কত জনে কত খানি শপনি পাৰিলে, শুনিলে কাণত হাত দিব লাগে।

কথাৰাৰ্ত্তাৰ গতি দেখি ভেঁড়ী ইছাবেলে নিজ পাওনাদাৰ সকলৰ মাজলৈ যাবলৈ ওলাল। তেওঁৰ ইচ্ছা যে তেওঁলোকক তেওঁ ক্ষমা খুজি আৰু কব—যে তেওঁ পিতাকৰ এই ধাৰ বা আইন কোনো কথাকে নাজানে। তেওঁৰ হাতত ,কোনো পাই পইছা নাই অলপ-অচবপ থকা হলেও সেই খিনিকে সমানে ভগাই দিলে হেতেঁন। কিন্তু মিঃ কার্লাইলে বাধা দিলে আৰু আৰু চাঁবা ঘৰৰ দুৱাৰ বন্ধ কবি দি তেওঁক ভিতৰলৈ লৈ গল। ইছাবেলে উচুপি উচুপি কান্দিবলৈ ধৰিলে, তাকে দেখি কার্লাইলে কলে, "মাইদেও, মই মৰ্ম্মান্তিক আঘাত পাইছোঁ, এই কথা আগতে জনা হলে তোমাক ওলাই যাবলৈ নিদিলোঁহেঁতেন। যি সি হওক—এতিয়া শোক-তাপ পাহৰি ধীৰ সুস্থিৰ ভাবে বহি থাকাগৈ। তুমি এতিয়া অকলে ওপৰলৈ যাব পাৰিবা নহয়নে ?"

"এবা পৰিম। মোৰ কোনো অসুখ হোৱানাই, কেৱল মনতহে বৰ ভয় লাগিছে বিশেষকৈ পিতাৰ বিছানাৰ ওচবত বহি থকা মানুহ দুজনলৈ।" "পিতাকৰ বিছনাৰ ওচবত দুজন মানুহ !" কথা শুনি কার্লাইল বিমোহত পৰিল। তেওঁ দেখিলে যে ইছাবেলৰ—ভৰিৰ পৰা মূৰলৈ সমস্ত শৰীৰ কঁপিবলৈ ধৰিছে। ইছাবেলে কঁপা স্বৰেৰে কলে, "এইবোৰ কি হবলৈ ধৰিছে, মই একো বুজিবই পাৰা নাই। এই বোৰৰ ভয়ে মোক অস্থিৰ কৰি তুলিছে। সেই মানুহ দুজন বিছানাৰ দুমোকাছে বহি আছে আৰু কৈছে যে সিইতে পিতাক লৈ যাব।"

কার্লাইল অবাক। এবাৰ ইছাবেলৰ ফালে আৰু এবাৰ চৌকিদাৰজনৰ ফালে চাই কলে, "লেডী ইছাবেল, মই এতিয়াই সিইতক উলিয়াই পেৰি দিম, তুমি তোমাৰ শোৱনি ঘৰত থাকাগৈ, অলপ পিছতে মই তোমাক লগ কৰিমগৈ।"

কার্লাইল বাহিৰলৈ ওলাই গৈ চৌকিদাৰ জনৰ পৰা সমস্ত কথা আদ্যোপান্ত জানিলে। ওপৰলৈ গৈ মানুহ দুজনক আঁতৰাবলৈ কতনো যত্ন কৰিলে কিন্তু নোৱাৰিলে সকলো চেষ্টা বিফল হল। বাকীবোৰ পাওনাদাৰক তেওঁ কল কৌশলেৰে প্রবোধ দি আঁতৰ কবিলে—কিন্তু সেই পিশাচ দুজনক কোনোমতে নোৱাৰিলে। তেওঁৰ ওকালতি বুদ্ধি ভোটা পৰিলে। তেওঁ বুজিলে যে সিইতৰ সমুদায় পাওনা আদায় নহয় মানে, কাজেই নতুন বাজা মিঃ ভেন চাহাব আহি সিইতৰ ঋণ পৰিশোধ নকৰে মানে সিইতে কোনোমতে মৰা-শ এৰি নিদিয়ে। এই কথা যাতে লেডী ইছাবেলে গম নাপায় তাৰ বাবে চৌকিদাৰজনক সাৱধান কৰি দি কার্লাইল ঘৰলৈ গল গৈ।

পিছদিনা বাতিপুৱা কার্লাইল আহি দেখে যে ইছাবেল বিছনাৰ ওপৰত মুবে-কপালে হাত দি অকল শবে উদাসভাবে বহি আছে। ওচবৰ মেজ এখনৰ ওপৰত চাহকটী খোৱা বস্ত্ৰ সজোৱাই আছে, তাত হাত দিয়া নাই। সেইবোৰ দেখি কার্লাইলে কিবাকিবি কলে। ইছাবেলে—দীঘকৈ দুমুনিয়াহ এটা ছাৰি কলে, "মই ভৰে নিশা ভৱাও নাই, চকুও মুদা নাই, বহি আছোঁ ; এতিয়া মোৰ জাৰ লাগিছে, ভয়ো লাগিছে মিঃ কার্লাইল।"

"কিহৰ ভাবে ভয় লাগিছে ?"

"সেই পিশাচ দুজনলৈ। আৰু আচবিত কথা এই যে এই পর্য্যন্ত মিঃ ভেন আহি পোৱাহি নাই।"

"কোনো চিঠি পত্রও আহা নাই নে ?"

"সেই খন আহিছে মিচেছ ভেনে লিখিছে যে তেখেত চিকাৰলৈ গৈছে, ৰবিবাৰ মানেহে ঘৰ পাবহি। পিতাৰ মৃত্যু খবৰ শুনি হেনো মিচেছ ভেনে মৰ্ম্মান্তিক বেজাৰ পাইছে। মিঃ ভেন আহি পালেই পঠাই দিব।"

কার্লাইলে চিঠিখন ওলট-পালটকৈ পঢ়ি চাই কৈ গল—"মিচেছ ভেনৰ তোমাৰ প্রতি মৰম চেনেহ থকা হলে তোমাৰ এই অকল শৰীয়া, শোকগ্রস্তা খোচনীয়া অৱস্থাৰ কথা জানি শুনি নিশ্চয় নিজে আহিল হেঁতেন।"

ইছাবেলে হাত দুখনৰ ওপৰত মুবটো লেলাইথৈ তবধ মানিলে। তেওঁৰ চকুৰ আগত সংসাৰৰ ঘটনাবোৰ

এটিএটিকৈ লানি লাগি নাচি বাগি দেখা দিলেহি। আজি ৩।৪ দিনে মৃত পিতাকৰ অন্ত্যেষ্টি ক্রিয়া সমাধা কৰিব পৰা নাই। আগৈয়ে মাউণ্ট চেভার্ণৰ লর্ডসকলৰ সমাধি মাউণ্ট চেভার্ণৰ ওপৰত দিয়া হৈছিল; তাৰ বাবে ভালেখিনি টাকা পইছাৰ আৱশ্যক; কিন্তু তেওঁ টাকা পয়ছা পায় ক'ত? নতুন ৰাজাই (লর্ডে) সেই খৰচ মনজুৰ কৰিবনে? এই ৩।৪ দিনৰ ভিতৰতে সংসাৰৰ ঠেলাত লেডী ইছাবেল বুঢ়ীজনী হৈ পৰিল। এজন লর্ডৰ জীয়েক ৰাজকুঁৱৰী ধনে-মানে কেনে হব লাগে! কেনে হল হি! তেওঁ আলি বাটৰ ভিকহু মগনিয়াৰৰ ছোৱালী এজনীতকৈ বেছি দীনা হীনা দেউলীয়া! আজি তেওঁৰ মূৰটো সুমাবলৈ পঁজা এটি নাই! নিজৰ বুলিবৰ ফুটা কড়ি পয়ছা এটাও নাই! সংসাৰৰ কি কুটিলা গতি! তেওঁ কলৈ যাব? কাৰ লগত থাকিব? পিতৃ-মাতৃ হীনা, অনাথিনী, অভাগিনীক কোনে আশ্রয় দিব? যি ঘৰত আজি বহি আছে, সিও পৰৰ ঘৰ, মিঃ কার্লাইলৰ! হঠাৎ কার্লাইলক সম্বোধন কৰি কলে, "মিঃ কার্লাইল, এই ঘৰ তুমি কিনিবৰ কিমান দিন হ'ল?"

"যোৱা জুনমাহতে খৰিদ কৰা হৈছে। এই বিষয়ে লর্ড মাউণ্ট চেভার্ণে একো কোৱা নাছিলনে?"

"নাই একো কোৱা নাই।" কোঠালীটোৰ চাৰিওফালে চকুফুৰাই চাই আকৌ কলে, "এইবোৰ সাজ সঁজুলিও তেনে হলে সকলো তোমাৰ?"

"এৰা সকলো মোৰ।" ইছা বেলৰ মনত বৰ আঘাত লাগিল, কলে "মই পিন্ধি থাকা কাপোৰ কানিবোৰ?" কার্লাইলে হাঁহি এটি মাৰি উত্তৰ দিলে, "সেইবোৰ কাৰো নহয়।"

ইছাবেলে উচুপি উচুপি কান্দিলে। মাজে মাজে কৈ গ'ল "মিঃ কার্লাইল, পৰম দয়ালু পুৰুষ; তুমি মহান, তুমি উদাৰ। তুমি আমাক ইমান দিন ইয়াত থাকিবলৈ দিছিলা। তোমাৰ এই ঋণ কেনেকৈ শুজিম?" কার্লাইলে কলে, "সেইবোৰ কথা না ভাবিবা।"

"মিঃ কার্লাইল, পিতাৰ অৱস্থা একেবাৰেই বেয়া আছিল?"

"বৰ ভালো নাছিল। তোমাক একো দি যোৱা নাইনে?"

"নাই, মোক একো দিয়া নাই। এই ঘৰটো তোমাৰ; মাউণ্ট চেভার্ণত থাকা ৰাজভৱন মিঃ ভেন্ আৰু মিছেছ ভেনৰ। মোৰ কপালত একো নাই, ফুটা কড়ি এটাও নাই, থাকিবলৈ পঁজা এটি নাই!"

"কেলেই ঘৰ দুৱাৰ লাগিছে? মিঃ ভেনে তোমাক তোমালোকৰ পুৰণিঘৰলৈ আদৰি নিব। ঘৰ তেওঁলোকৰ হলেও তাত তোমাৰ সম্পূর্ণ স্বত্ব আছে সেই ঘৰেই তোমাৰো ঘৰ।"

কথাশুনি ইছাবেল জাপমাৰি উঠিল, কলে, "তেওঁলোকৰ ঘৰতে মোৰো ঘৰ! নহয়, নহয়, ই হবই নোৱাৰে। অহি নকুল একে লগে বাস কৰিব নোৱাৰে। মই মিছেছ ভেনৰ লগত এৰাতিও থাকিব নোৱাৰোঁ।"

মিঃ কার্লাইলে লিগিৰী এজনীকে ইছাবেলৰ ওচৰত ৰাখি ওলাই গল।

সপ্তম আধ্যা

নতুন ৰাজা লর্ডভেন্

মিঃ ভেন্ ওৰফে মাউট চেভার্ণৰ উত্তৰাধিকাৰী লর্ডভেন ৰবিবাৰ ৰাতিপুৱা ইষ্টলিনিত উপস্থিত হলহি। লগে লগে ৱেষ্টলিনিৰ মিঃ কার্লাইল আৰু লণ্ডন নগৰীৰ পৰা মিঃ ওৱাৰবাৰ্টন স্বর্গীয় লর্ড উইলিয়ামৰ আমোক্তাৰ ইষ্টলিনি পালেহি তিনিওজন লগ লাগিল। কাম আৰম্ভ হ'ল।

নতুন ৰাজা লর্ডভেনে জানিছিল যে তেখেতৰ উপৰি ৰজাজন অর্থাৎ স্বর্গীয় লর্ড উইলিয়ামভেন্ এজন ঋণগ্রস্ত লোক আছিল; কিন্তু ইমান সর্ব্বনশীয়াকৈ যে ঋণত পোত গৈছিল, সেই কথাৰ বেছি ভু নাপাইছিল কাৰণ তেখেত সকলৰ মাজত বেছি সদ্ভাব নাছিল। যেতিয়া অত্যাচাৰ অপব্যয় খৰচ সর্ব্বস্ব ধ্বংস আৰু লেডী ইছাবেলৰ বাবে

বর্ত্তমান বা ভবিষ্যৎ কোনো-ধনসম্পত্তিৰ দিহা নথকা আদি কবাবোৰ জানিব পাৰিলে, লর্ডভেন্ একেবাৰে স্তম্ভিত হল। তেওঁ ঘৃণাপূর্ণ কথাৰে কৈ উঠিল। "পৃথিবীৰ সকলো মূর্খৰ ভিতৰত লর্ড উলিয়ামেই মহামূর্খ আছিল।" উকীল দুজনেও সেই কথাতে হয় ভৰ দি কলে, "অৱশ্যে অন্ততঃ নিজৰ ছোৱালী ইছাবেল সম্বন্ধে।" তেওঁ আকৌ কলে, ধোৱা খুলীয়াই নহয় তেওঁ নিয়ম মতে পগলা আছিল। হাতত এটি পাই পয়ছা নিদিয়াকৈ ডেকা গাভৰু জীয়েক জনীক কাৰ হাতত সপি দি গল? ছিঃ ছিঃ! তেওঁ ৰাজকুঁৱৰী, তেওঁৰ হাতত আজি ফুটা কড়ি এটিও নাই! বেছি নালাগে এই চুলি কেইডাল বান্ধিবলৈ এটুকৰা ফিটা লগা হলে, তাকেই কিনিবলৈ পয়ছা এটি নাই! ৰাজ কুঁৱৰী লেডী ইছাবেল ইমানেই দীনা হীনা অনাথিনী! মই জীৱনত এনেকুৱা কথা কতো দেখাও নাই, শুনাও নাই।"

তিনিওৰে মাজত নানাৰকম কথা বতৰা হ'ল। লর্ডভেনে এটি এটিকৈ সকলো খবৰ যোগাৰ কৰিলে। তেওঁ খং আৰু ঘৃণাতে—কলা পৰি উঠিল। সি যি হওক মুঠতে দিহা হ'ল—লেডীইছাবেল, লর্ডভেন আৰু লেডী ভেনৰ লগত কেষ্টেল মার্লিঙত—তেওঁলোকৰ ঘৰত থাকিব। পাওনাদাৰ সকলৰ পাওনাবোৰ লর্ডভেনে ৰাজ ভঁড়ালৰ পৰা পৰিশোধ কৰিব, তাৰো দিহাহল। শেষত মৃতকৰ সৎকাৰৰ কথা উলিয়াওঁতেই কার্লাইলে কৈ উঠিল, "কালি পাওনাদাৰ সকলক কোনো ৰকমে বঢ়াই বুজাই বিদায় কৰি দিছিলোঁ কিন্তু সেই ওপৰত যে মৃতকৰ দুয়ো কাষে দুজন পাওনাদাৰ বহি আছে—সিহঁতক একোপধ্যে বিদায় দিব নোৱাৰিলোঁ।" কথাশুনি লর্ডভেনে কার্লাইলৰ ফালে আঁ-কৰি বহি থাকি কলে, "মই একো বুজা নাই।"

কার্লাইল—কেলেই শুনা নাইনে যে সিহঁতে মৰা শৱটো গ্রেপ্তাৰ কৰিছে? কালি ৰাতি পুৱাৰ পৰা দুজন মানুহ মৃতকৰ বিছনাৰ কাষত পৰ-দি বহি আছে আৰু শুনো যে আন এজনে সিহঁতক মাজে মাজে পাল কৰি ভাত পানী খাবলৈ এৰি দিয়ে।"

কথাশুনি লর্ডভেন্ একেবাৰেই স্তব্ধ হ'ল। তেখেতে আচৰিত হৈ সুধিলে, "মিঃ কার্লাইল, ঋণৰ বাবেই মৃত ৰজাৰ এনেকুৱা অৱস্থা! মানুহৰ মৰা শৱ গ্রেপ্তাৰ! ই সপোন নে দিঠক?"

"সিহঁতে দেখাত তাকেই কৰিছে মহাৰাজ।"

"এনেকুৱা কলঙ্ক পূর্ণ অপকর্ম্মও আইন সঙ্গতনে? মৃত মানুহক গ্রেপ্তাৰ, মই এনে কথা শুনাই নাই। মই একেবাৰে আচৰিত হৈছোঁ। লেডীইছাবেলেও সেই বিষয় কিবা কিবি কৈছিল, কিন্তু তেওঁ শোকৰ বেগতে কিবা অমূলক কথা কোৱা বুলি ভাবি মই সিমান মন কৰা নাছিলোঁ। তেনেহলে এতিয়া সম্প্রতি কি কৰা যায়? তেওঁৰ সৎকাৰ কৰা নহব নেকি?"

"তেনেকুৱাই দেখা গৈছে। চৌকিদাৰ জনে কৈছে যে সিহঁতৰ ঋণ পৰিশোধ নহলে সিহঁতে এনেকি কফিনকে বন্ধ কৰিব নিদিয়ে। কিন্তু ততালিকে কফিণ বন্ধ কৰিবই লাগিব নহলেই নহয়।"

লর্ডভেনে হুমুনিয়াহ চাৰি কলে, "অতি আচৰিত কথা।" মিঃ ওৱাৰবাৰ্টনে কার্লাইলক সুধিলে, "এইটো কোনে কৰিছে, জানেনে?"

কাঃ—এনেষ্টি নামৰ পাওনাদাৰ এজনে। শুনিছোঁ যে তাৰ পাওনাৰ পৰিমাণ প্রায় তিনি হাজাৰ পাউণ্ড (১ পাঃ = ১৫৲ টকা)।

ওৱাৰ বাৰ্টন—এৰা হব পাৰে। সেইটো ৰজাৰ সুকীয়া ধাৰ, কাজেই তাক পৰিশোধ কৰিবই লাগিব উপায় নাই। বেছ বুধি কৰিছেতো!

লর্ডভেনে কৈ উঠিল, "এনে লজ্জাহীন নীচ স্বভাৱৰ মানুহ! বাৰু সেইটো সামান্য কথা সম্প্রতি কি কৰা আৱশ্যক?"

তিনিওজনে আলোচনা কৰি মৃতজনৰ অন্ত্যেষ্টি ক্রিয়া সমাপন কৰাৰ আয়োজন কৰিবলৈ ধৰিলে।

লেডী ইছাবেল নিজৰ শোৱনি ঘৰত বিছনাৰ ওপৰত গাৰু এটাত মূৰটো পেলাই পিতৃ শোকত কাতৰ হৈ অকল শৰে বহি আছে। লর্ড ভেনে প্রবোধ বাক্যেৰে মৰম চেনেহ কৰি সান্ত্বনা দি কলে, "আইটি

একো শোক নকৰিবা, কোনো চিন্তা নকৰিবা আজিৰ পৰা তুমি আমাৰ লগতে কেষ্টেল মাৰ্লিঙত থাকিবা। তাত কোনো কষ্ট নোপোৱা। এতিয়া ধৈৰ্য্য ধৰি থাকা।" ইছাবেলে অতপৰৰ মূৰত লাহেকৈ মূৰটো তুলি লৰ্ড ভেনক মূৰ দোৱাই কলে, "অশেষ ধন্যবাদ।" তাৰ পিছতে তেওঁ—হুকহুককৈ কান্দিবলৈ লাগিল। নিজে নিজে কৈ গ'ল "মিছেছ ভেনৰ লগত একেঘৰতে একেলগে বাস বসতি। নহয়, ই-হব নোৱাৰে। তাত থকাতকৈ মোৰ মৃত্যু শ্ৰেয়ঃ। মই জীৱিকা নিৰ্ব্বাহৰ নিমিত্তে নিজহাতে সামান্য কাম কৰিম; লাগে মই থাকিব নোৱাৰিলে শুকাম, ৰুটি আৰু পানীখাই জীয়াই থাকিম, তথাপি মই ভেনৰ লগত বসতি কৰিব নোৱাৰো, মোৰ সহ্য নহয়। হে প্ৰভু দয়াময়! মোকো পিতাৰ লগতে মাৰি নিয়া।"

ছোৱালীৰ ছোৱালী কথা। এই খন্তেকীয়া মনোবল কিমান পৰ থাকিব? মুখেৰে কোৱা একেবাৰে সহজ কিন্তু কাৰ্য্য ক্ষেত্ৰত নামিলেহে তাৰ চিন। মুখেৰে যি কোৱা হয় সি কাৰ্য্যত সতকাই হৈ নুঠে। কেতিয়াবা কেতিয়াবা এনেকি অসম্ভৱ হৈ উঠে। মুখেৰে সকলোৱে কব পাৰে এনে কৰিম, তেনে কৰিম, কিন্তু হাতেৰে তাৰ এশ ভাগৰ এভাগো কৰি তুলিব নোৱাৰি। পোহৰ আৰু আন্ধাৰৰ যেনে সম্বন্ধ, কাল্পনিক আৰু বাস্তৱ জীৱনৰ কথা তেনে সম্বন্ধ। লেডী ইছাবেলে যিমান হক কওক যিমানেই পাঙক কোনো কথা নবজে। তেওঁৰ উপায়ন্তৰ নাই। যাৰ আজি মূৰটো সুমাই থাকিবলৈ পঁজা এটি নাই, খাব লব খৰচ কৰিবলৈ হাতত ফুটা কড়ি পাই পয়ছা এটি নাই তেনেজনৰ কিবা অভিমান অহঙ্কাৰ খাটেনে? ইছাবেল লেডীভেনৰ সংসাৰত থাকিব লাগিব, তেওঁৰ গালি শপনি সহিবই লাগিব। নহলে বাটে ঘাটে ফুৰি ফুৰিব লাগিব। এয়ে সংসাৰ!

লৰ্ডভেনৰ নিৰ্দ্দেশমতে মিঃ ওৱাৰবাৰ্টনে পাওনাদাৰ সকলৰ সকলো ঋণ পৰিশোধ কৰি মৃতকৰ কফিন বন্ধ কৰিলে। ওচৰ চুবুৰীয়া ভদ্ৰলোক আৰু আন আন মানুহ লগ লাগি সকলোৱে মহাসমাৰোহেৰে লৰ্ড উইলিয়ামৰ অন্ত্যেষ্টিক্ৰিয়া ৱেষ্টলিনিৰ চেণ্ট জ্যুচ গিৰ্জ্জাৰ ওচৰত সমাপন কৰিলে। সকলো ঘৰাঘৰি গ'ল।

পিছদিনাখন লৰ্ড ভেন লণ্ডনলৈ যাবৰ নিমিত্তে উদ্যোগ কৰিলে। তাৰ পিছতে লেডী ইছাবেল কেষ্টেল মাৰ্লিঙলৈ যাব। সকলো দিহা হল। ষ্টেশ্যনলৈ যাবৰ নিমিত্তে গাড়ী উপস্থিত হলহি। এনেতে ৱেষ্টলিনিৰ পৰা মিঃ কাৰ্লাইল ওলালহি। তেওঁক দেখি লৰ্ড ভেনে কৈ উঠিল, "আপুনি নাহিব বুলিহে ভাবিছিলোঁ মিঃ কাৰ্লাইল। ভালেই হৈছে, বেছি সময় নাই, পাঁচ মিনিট মানহে আছে। স্মৃতিস্তম্ভটোৰ কথা ভালকৈ বুজিছে নহয় নে?'

কাৰ্লাইল—হয় বুজিছোঁ কোনো ভয় নাই। লেডী ইছাবেল কেনে আছে?

লৰ্ডভেন—একেবাৰেই মৃত প্ৰায় বৰ শোকাতুৰা হৈ উঠিছে। মোৰ লগত জা জলপানকে নাখালে। বান্দীজনীয়ে কৈছে যে তেওঁ বাউল হৈ উঠিছে। বাস্তৱিকে উইলিয়াম বৰ বেয়া মানুহ আছিল। বাৰু যাওক সেই বোৰ কথা।" বান্দীজনীক তেওঁ মাতদি কলে, "মই যাবলৈ ওলাইছো বুলি লেডী ইছাবেলক কোৱা গৈ।" কাৰ্লাইলৰ ফালে চাই কলে, "মিঃ কাৰ্লাইল, অশেষ ধন্যবাদ। এইকাম বোৰ আপুনি নোহোৱা হলে মই অকলে সুকলমে কৰিবলৈ নোৱাৰিলোহেঁতেন। অশেষ ধন্যবাদ জনাইছোঁ—পিছে মনত ৰাখিব যেন সোনকালে এবাৰ মোক কেষ্টেল মাৰ্লিঙত দেখা দিয়ে।"

কাৰ্লাইল—ভাল, যদি সেইফালে যোৱা হয়, তেতিয়াহে। লেডী ইছাবেল সোমাই আহিল। লৰ্ডভেনে কলে, আইটি সময় নাই, মই এতিয়া যাওঁহে। তুমিও পলম নকৰিবা,—সোনকালে যোৱাগৈ। পিছে কিবা কবলৈ আছে যদি কোৱা।" লেডী ইছাবেলে কিবা কওঁ বুলি মুখ মেলোঁতেই কাৰ্লাইলক দেখা পালে কোৱা নহল। তাকে দেখি লৰ্ডভেনে কলে, কোনো ভয় নকৰিবা। তাত কোনো কষ্ট নোপোৱা। মই লণ্ডনৰ পৰা ২।৩ দিনৰ ভিতৰতে ফিৰিম—।" কিন্তু লেডী ইছাবেলে কিবা কওঁ কওঁকৈ থিয় হৈ থাকিল।

"কি লাগে কোৱা।"

ইছাবেলে তলমূৰকৈ শুনা নুশুনাকৈ কলে, "হাতত..."

"বাৰু, এতিয়া হাত খালি; ধৰা এই তিনি পাউণ্ড (৪৫৲ টকা) সেয়ে হব। বাকী খৰচ সমুদায় চাকৰ জনৰ হাতত দিছোঁ এয়া তোমাৰ হাত খৰচহে। আৰু তাত যেতিয়া যি আৱশ্যক হয় লেডী ভেনৰ পৰা খুলি কৈ নিবা। এতিয়া তেনেহলে মই আহোঁ—বিদায়।"

"মিঃ কাৰ্লাইল, নমস্কাৰ বিদায় হে।"

"নমস্কাৰ বিদায়।"

কাৰ্লাইলে লৰ্ডভেনক বিদায় দি ইছাবেলক লগ ধৰিলেহি। ইছাবেলে কলে, "মিঃ কাৰ্লাইল। অলপ অনুগ্ৰহকৈ কষ্টস্বীকাৰ কৰিবানে?"

"বাৰু কি কৰিব লাগে কোৱা।"

"এয়া ১½ পাউণ্ড কেন চাহাবক দিবা; বেচেৰা দুখীয়া মানুহ আৰু এই ½ পাউণ্ড বান্দীজনীক দিবা।"

"আৰু কি কৰিব লাগে?" "একো নালাগে" বুলি ইছাবেলে কব খোজোতেই গাৰীৰ শব্দ শুনিলে। দুয়ো খিৰিকিৰ মুখলৈ গৈ দেখে যে লেডী ইছাবেলক নিবৰ নিমিত্তে তেওঁৰ পিতাকৰ সুন্দৰ চকুত লগা গাৰী খন ফটকত লাগিলহি। ইছাবেলে কলে, "সকলো সাজু হৈছে মিঃ কাৰ্লাইল। তোমাক মই এটা কাম দি যাওঁ, মোৰ অতি হাবিয়াসৰ বস্তু এই সোণৰূপৰ মাছ দুটা তোমাক মই দিলোঁ—সিহঁতক মাজে সময়ে চাবা।" কথা শেষ কৰাত ইছাবেলে চকুলোৰে গাল দুখন ভিজাই পেলালে। কাৰ্লাইলে কলে—

"তালৈ লৈ নোযোৱা কেলেই?"

"লেডী ভেনৰ ঘৰলৈ! কেতিয়াও নিনো। বৰং তোমাক দি যাম, তথাপি সেই আদৰৰ বস্তু লেডী ভেনক নিদিওঁ।" লেডী ইছাবেলৰ অৱস্থা দেখি কাৰ্লাইলে কলে, "অলপ বহাঁ।"

"নহয় সময় নাই নবহোঁ।"

কাৰ্লাইলে হাতত ধৰিলে, ইছাবেলক গাৰীত তুলি দিলেগৈ। ঘৰৰ পুৰণি চাকৰ-বাকৰ, বান্দী বেটী আটায়ে চকুলো টুকি টুকি লেডী ইছাবেলক বিদায় দিলে।

ইছাবেলে গাড়ীত বহি কান্দোকান্দোকৈ কাৰ্লাইলৰ হাত দুখনত ধৰি কলে, "মিঃ কাৰ্লাইল, তুমি এজন মহানুভৱ, তুমি পৰম উদাৰ দয়াশীল পুৰুষ। তুমি মোৰ অশেষ কল্যাণ কৰিছা তোমাৰ ওচৰত মই চিৰ-ঋণী, চিৰ কৃতজ্ঞ। কি বুলি তোমাক বিদায় দিওঁ। কোনো কোপ নকৰিবা দেৱ।"

"একো কৰা নাই ইছাবেল। অৱশ্যে বহুত কাম কৰিব পাৰিলোহেতেঁন। বাৰু, আমি আকৌ দেখাদেখি নহমনে?"

"নিশ্চয় হম। তুমি কেষ্টেলমাৰ্লিঙলৈ যাম বুলি লৰ্ড ভেনৰ আগত অঙ্গীকাৰ কৰিছা নহয়নে?" কাৰ্লাইলে হুমুনিয়া পেলাই কলে,—

"অৱশ্যে সঁচা, একপ্ৰকাৰে আমি লগালগি হম। কিন্তু আমাৰ জীৱনৰ বাট বহুত আঁতৰা আঁতৰি। বাৰু, প্ৰভুই তোমাক কুশলে ৰাখক মৰমৰ মইনা ইছাবেল। বিদায়।"

"নমস্কাৰ বিদায়।" ইছাবেল অবিহনে সোণপুৰী ইষ্টলিনি মলিন পৰিল।

গাড়ী দ্ৰুতবেগে লৰি গল—অদৃশ্য হল। কাৰ্লাইল তলমূৰকৈ কিবাকিবি ভাবি ঘৰমুৱা হল।

ইছাবেলে গাড়ীত বহি কানিকাপোৰ সামৰি ললে হঠাৎ চকুত পৰিল কাপোৰৰ মাজত এখন এশ পাউণ্ডীয়া নোট পেপাৰ। ইছাবেল অৱাক। ইছাবেলৰ খং উঠিল—মুখ ৰঙা পৰিল। নোটখন তুলি ললে—ফালি পেলাবলৈ উপক্ৰম কৰিলে—কিন্তু পিছ মুহূৰ্ত্ততে নিজৰ দিনা হীনা অৱস্থাৰ কথা ভাবি—নোটখন সামৰি থলে।

—আগলৈ

বিমান পথেৰে বিলাত যাত্ৰা

(৪)

—বীৰু

এইবাৰ 'ছিপ্লেনৰ পাল। মোটৰে আমাকক বাটত এৰি দিলে। মটৰ বোটেৰে গৈ ছিপ্লেনত উঠিলো।



প্লেনৰ তলত

তেতিয়াও পোহৰ হোৱা নাই। পোহৰ অন্ধাৰৰ মাজত আমালোকক লৈ ছিপ্লেন আকাশলৈ উৰা মাৰিলে। উৰিবৰ সময়ত পানী পৰিছিল বহুত কিন্তু এক টোপাও ভিতৰত সোমোৱা নাছিল। প্লেন আকাশত উৰাৰ পিছত ষ্টুয়াৰ্ট আহি সুধিলে খিৰিকীবোৰ খুলি দিম নেকি? কলোঁ "খুলি দে।" খুলি দিয়া মাত্ৰেই উঃ কি বতাহ! বাধ্য হৈ তাৰাতাৰি বন্ধ কৰিবলৈ কলোঁ।

ছিপ্লেনত এৰোপ্লেনৰ নিচিনা দুটা কোঠালী নাই। আগত পাইলটৰ বহিবৰ ঠাই তাৰ পাছত সৰু এটা যন্ত্ৰ পাতি ৰাখিবৰ ঘৰ, পাছত যাত্ৰী সকলৰ কোঠালী, তাৰ পাছত মুখ-হাত ধোৱা' মল-মূত্ৰাদি ত্যাগ কৰিবৰ ঠাই। পিছত ডাক আৰু আৰোহী সকলৰ মালবস্তু ৰখা ঠাই। তাত থাকে ষ্টুয়াৰ্ট।

অলপ সময়ৰ ভিতৰত আমালোকে আলেকজান্দ্ৰিয়া আহি পালো। ক্যায়ৰোৰ পৰা ১১৮ মাইল দূৰ। ইয়াতে আমালোকে ৰাতিপুৱাৰ খোৱা খালোঁ। আমোলোকৰ ইয়াত বদল কৰি অইন এখন ছিপ্লেনত উঠিব লগা হল। আগৰখনৰ নিচিনাই। কিয় যে বদল কৰিলো নুবুজিলো। সুধি একো উত্তৰো নাপালো। বেছি সময় থকা নাছিলো আলেকজান্দ্ৰিয়াত। চাব লগাৰ ভিতৰত এৰোড্ৰমৰ কাষে কাষে ব্যৱসায়ীসকলৰ ডাঙৰ ডাঙৰ দালান ঘৰ দেখিলো আৰু সৰু বৰ বহুতো জাহাজ। বিদায় মিচৰ! বিদায়! তোমাক এই জীৱনত আকৌ দেখিবলৈ পাম নে নাপাম কোনে জানে।

কি গাঢ় নীলা পানী ভূমধ্য সাগৰৰ। সূৰ্য্যই তেওঁৰ হীৰাৰ অলঙ্কাৰ সাগৰ বন্ধুক পিন্ধাই দি সুন্দৰ কৈ সজাই দিছে। অতীতত এনে এদিনত হয়তো



প্লেনত চাহ খোৱা—শেষবাৰ

প্ৰিয়াক লৈ শ্ৰীৰাম অযোধ্যালৈ ফিৰি আহিছিল। এনেকুৱা মেঘৰ আৰালত থাকি ইন্দ্ৰজিতে যুঁজ কৰিছিল। যোৱা মহা

যুদ্ধত এই শূন্যৰ পৰা বোমা পেলাই কিমান নগৰক ধ্বংস কৰিছিল। কিমান মাকক সন্তান হাৰা, কিমান সন্তানক মাহাৰা কৰিছিল। নৃশংসতা উঠিছিল চৰম সীমাত। তেতিয়া হয়তো কোনেও ভবা নাছিল ইয়াৰে হব পাৰে পৃথিবীৰ বহুত মঙ্গল—কল্যাণ। আৰু ভাবিবই বা কি! ইয়াৰ সৃষ্টিৰ লগে লগেই যে ধ্বংস লীলা হৈ গল।



বাওঁফালে—পেহী (মিচ ডেলাছ চৌধুৰী)
সোঁফালে—আতা (মিঃ এচ, এন চৌধুৰী বাৰ-এট-ল)

কিন্তু ৰাতিৰ পিছত আহে দিন। আজি হয়তো সেই সুদিন আহিছে।

আজি আমালোকে যাব লাগিছোঁ, কিছুমানে ভ্ৰমণৰ নিচাত, কিছুমানে আকৌ হব বহুদিন পিছত নিজ কুটীৰ বাসী, কোনোৱে ব্যৱসায়ৰ খাতিৰত—মিল আছে অকল ইয়াতে যে আমালোকে একে প্লেনৰে যাত্ৰী—আমালোক একে ধাতুতে তৈয়াৰী, আমালোক মানুহ। এই বিৰাট পৃথিবী দিনে দিনে মানুহৰ আগত কিমান সৰু হৈ আহিব লাগিছে। ছয়দিনত পাম গৈ ইংলণ্ড ভাৰতৰ পৰা। কালত হয়তো কেই ঘণ্টা মানতে ৰব গৈ। সেই দিনৰ আৰু বেছি পলম নাই। ব্যোম জানক কবিৰ ভাষাত কবৰ ইচ্ছা হয় 'তুমি দূৰক কৰিলা ওচৰ বন্ধু! পৰক কৰিলা ভাই।'

ক্ৰিট আহি পালোঁ। এঘৰটা কি বাৰটাৰ সময়ত। ই ভূমধ্য সাগৰৰ দ্বীপ। আমালোকে যত নামিছিলোঁ। তাত অলপ কেইটা ঘৰ দেখা পাইছিলোঁ। সৰু সৰু পাহাৰৰ গাত। এখন সৰু মটৰ বোট আহিল আমালোকক নিবলৈ। মোত বাদে সকলোৱে গৈ উঠিল। মোৰ তেতিয়া অৱস্থা বেয়া, যাবলৈ ডাক পৰিল। মই ক্যামেৰাটো বাহিৰ কৰি ছবি লবলৈ আৰম্ভ কৰিলো। ভাব দেখুৱালো যেন ছবি লোৱাৰ কাৰণেই ৰৈ গল। কিন্তু শেষ পৰ্য্যন্ত নোযোৱাকৈ থাকিব নোৱাৰিলোঁ। যেতিয়া সৎকাৰ্য্য শেষ কৰি বাহিৰ হলো তেতিয়া দেখিলো সকলোৱে বহি গৈছে। মোৰ আস্তিন কছোৱা আৰু ৱেষ্ট কোট গাত নাই দেখি বোধ হয় বুজিবলৈ কাৰো পলম নালাগিল যে মই কি মহৎ উদ্দেশত ইয়াত ৰৈ গৈছোঁ।

প্লেনৰ ভিতৰত ৰন্ধাৰ বন্দোবস্ত নাই সেইটো কোৱা বাহুল্য। ক্ৰিটৰ পৰাই দুপৰীয়াৰ খাবৰ নিলে। ষ্টুয়াৰ্ট যেতিয়া খাবৰ দিবলৈ আৰম্ভ কৰিলে তেতিয়া প্লেট (চেলুলইড) গিলাছ' কাটা চামচ' আদিয়ে দৌৰা দৌৰি আৰম্ভ কৰি দিলে জোকাৰণিৰ গুমকত। খাওনে কাটা চামচ ধৰো? বহুত বুধি খৰচ কৰি শেষত ক্যামেৰাৰ বাকছটো ছেপা দিলো টেবিল ঢাকনিৰ ওপৰত। তাতে কিছু কম পৰিল। কিন্তু বাকী বোৰৰ কাটা চামচৰ দৌৰ আৰু নাথামিল। মই নিৰ্ব্বিকাৰ চিত্তে গলাধঃকৰণ কৰিবলৈ ধৰিলোঁ।

ক্ৰিটৰ পৰা উৰিলো এথেন্সৰ বাটেৰে গ্ৰীচলৈ। যি গ্ৰীচৰ কথা লৰা কালৰ পৰাই শুনি আহিছো, যি গ্ৰীচ য়ুৰোপ সভ্যতাৰ জন্মদাতা, যি গ্ৰীচ প্ৰাচ্য আৰু পাশ্চাত্যৰ প্ৰথম মিলন ঘটাইছিল, যি গ্ৰীচৰ সৌন্দৰ্য্য জগদ্বিখ্যাত, যি গ্ৰীচবীৰ আলেকজান্দ্ৰাৰ ভয়ত এদিন



ক্ৰীট দ্বীপ

পৃথিবী কঁপিছিল, যি গ্ৰীচে আনিছিল প্ৰাচ্যৰ পৰা বিজ্ঞানৰ বীজমন্ত্ৰ, যাৰ ভাস্কৰ্য্য জগতত খ্যাতি লাভ কৰিছিল।

সেই গ্রীচৰ আজি ইকি অৱস্থা। তাৰ সেই লুপ্ত গৌৰৱৰ স্মৃতিৰ স্বৰূপ কিছুমান ভাঙ্গা অট্টালিকা পৰি আছে। সিইতেও আৰু নোৱাৰা হৈছে। হাজাৰ বছৰৰ লুপ্ত গৌৰৱ বৈ বৈ পিঠিৰ কামিহাড় জানোছা গৈছে ভাঙ্গি।

গ্রীকবিলাক সিমান ওপৰলৈ উঠিছিল আজি সিমান তললৈ নামিছে। স্বাধীন হলে কি হব! সি যে জীয়াই আছে তাৰ শবদতো নাই।



মোটৰ বোটত

ইয়াৰ সূর্যাৰ তেজ বহুত ওখে আমালোকৰ দেশৰ নিচিনা। ইয়াৰ পৰা আমালোকৰ ক্যামেৰাবোৰ বন্ধা বন্দি কৰি দিলে। স্বাধীনতাৰ অলপ পৰিচয় পালো। নাই মামাত কৈ কাণা মামাই ভাল, স্বাধীনতা, আমালোকৰ নিচিনা পৰাধীন নহয়। বনৰ পখী আৰু সোণৰ সজাৰ পখী বহুত বেলেগ।

ঘূৰি ফুৰিবৰ সময় নাপালোঁ। ভবি চুবন খিয় কৰাৰ লগে লগেই যাবৰ সময় হৈ আহিল। উঠিলো গৈ। বেহবিনৰ পৰা অহা এজন যাত্রীয়ে ইয়াতে তেওঁৰ যাত্রা শেষ কৰিলে।

এথেন্সৰ পৰা ব্রিন্দিছিৰ উদ্দেশে উৰিলোঁ। ইয়াৰ পৰা ৩৭০ মাইল। এতিয়া বুজি পালোঁ ওপৰৰ পৰা কেনেকৈ জৰিপ কৰে। ঘিসকলে তিনতালা বা চাৰি তালা ঘৰৰ ওপৰত উঠিছে নাইবা কোনো পর্ব্বতৰ টিঙত উঠিছে তেওঁলোকে নিশ্চয় বুজিছে যে ওপৰত উঠিলে বহুতো দেখা যায়! কাজেই হাজাৰ দু হাজাৰ ফিট ওপৰৰ পৰা দেখিলে তাতকৈ বহুত, বহুত বেছি দেখা যাব। পাঁচ মিনিটৰ ভিতৰত লাখ লাখ বিঘা জৰি জৰিপ হৈ যায়।

ইটালীৰ মাটিত ভৰি দিয়াৰ লগে লগেই কেনেকুৱা যেন এটা অনুভূতি পালোঁ মনত। যি গোৱা নাছিলোঁ স্বাধীন মিচত, স্বাধীন গ্রীচত। ইয়াৰ প্রতি লোমকূপলৈ পর্য্যন্ত স্বাধীনতা ঘোষণা কৰিছে। আলি-পদুলি গোক জন সকলোৱে মুক্ত।

আমালোকে বাহিৰত খোজকাঢ়ি ফুৰিবলৈ আৰম্ভ কৰিলোঁ। ঘৰৰ ভিতৰত Passport দেখিবলৈ ধৰিলে। সকলো হৈ যোৱাৰ পিছত এজন এজনকৈ মাতি দি দিলে। আমালোকৰ ক্যামেৰাবোৰো দিলে। পিছত মটৰ বোটত গৈ উঠিলোঁ। আমালোকক লৈ গ'ল এটা হোটেললৈ। হোটেলৰ আগতেই এটা বৰ ডাঙৰ মনুমেণ্ট, মোৰ দেখি মনত হ'ল এইটো এটা দুর্গৰ ভিতৰত। নতুন যেন মনত হ'ল। সুধি জানিলোঁ ইটোৰ নাম 'ইটালানেটা মনুমেনেটা'। দুৰৰ শত্রুক দেখিবৰ কাৰণেই বোধ হয় খিয় কৰি বাখি থৈছে। হোটেলৰ যি চেহাবত বহি আছিলোঁ তাৰ আগতেই মুছোলিনীৰ ছবি কেলেণ্ডাবত ইটালীৰ ভাগ্য বিধাতা মুছোলিনী। সকলো কেথন পাতেই শেষ হৈ গৈছে ছবিটো অকল ওলাই আছে। ভয় নে সম্ভ্রম! কোনে জানে? গেট ভাল নাছিল ডিনাৰ আৰু নাখালোঁ।

মুছাফিৰ সকলবো ডাক পৰিল ষ্টেশ্চনলৈ যাবৰ ইয়াৰ পৰা প্যাৰীলৈকে আমালোকে বেলগাৰীবে যাব লাগিব। মস্ত স্বাধীন দেশ যে? পিছত কোনোৱে ওপৰৰ পৰা গুপ্ত স্থানৰ সন্ধান পায়, এই ভয়ত কোনো বিদেশী প্লেনৰ দেশৰ ওপৰেদি যোৱা নিয়ম নাই। অৱশ্যে এইটো মোৰ মত, ইইতৰ ভায় দেখি। হোটেলৰ পৰা ষ্টেছ কাড়ি গলে ষ্টেশ্চন দুই মিনিটৰ বাস্তাও নহয় কিন্তু আমালোকে দুবিব লাগিল বহুতো। ষ্টেশ্চন আহি গ'লোঁ। 'ইণ্টিবিয়েল এৱাৰ ওৱেজ'ৰ মানুহে আমালোকক বাট দেখুৱাই লৈ গৈ খিয় কবালে এখন গাড়ীৰ আগত। তাত লেখা আছে—"Sleeping car" এজন এজনকৈ নাম মাতি কোঠালীৰ নম্বৰ কৈ দিলে। মোৰ কোঠালীৰ

নম্বৰ হ'ল ১৪। ভিতৰত সোমাইয়েই আচৰিত হৈ গলোঁ। আমালোকৰ দেশৰ প্রথম শ্রেণীলৈ মোৰ ধাৰণা আছিল। তাৰ ওপৰত মোৱা সৌভাগ্য হোৱা নাছিল। শুনিছোঁ ৰু মেইলখন যুৰ চমৎকাৰ আমালোকৰ দেশত। কিন্তু তাত মই উঠা নাই।

সুন্দৰ বগলীৰ পাখী যেন বগা, তুল তুলীয়া বিছনা, ঢুকা যাক। গাত দিবলৈ কেইখনমান 'বাগ' সকলো নিজৰ ঘৰৰ নিচিনা। কাষতে হাত মুখ ধোৱা গামলা। সেইটো উল্টাই দিলে বেছ টেবিল এখন হৈ যায়, কাপোৰ কামি বান্ধিবৰ আলনা। প্রতিজনেই নিজ নিজ কোঠালী। কাৰো লগত কোনো সম্বন্ধ নাই। কিন্তু হাজাৰ স্বর্গ সুখ হক ট্রেনত মোৰ মুঠেই টোপনি নাহে। পুৱাৰ খাবৰ বাবে। বেচাবাৰ লগত তেতিয়া একোৱেই নাছিল। এটা ষ্টেশ্চনত নাথামিলে দিবই বা কৰ পৰা? মই সেই কথাটো জানিলো বুলিয়ে অইনে বিশ্বাস কৰিব কিয়? ঘণ্টাৰ পিছত ঘণ্টা পাৰ হবলৈ ধৰিলে। ওৱেটাৰক ব্যতিব্যস্ত কৰি তুলিলে। অৱশেষত এটা ষ্টেশ্চন পোৱা গ'ল।

ওৱেটাৰে খাবৰ দি গ'ল। তাক আগতেই কৈছিলোঁ যে মই চাহ নাখাওঁ। অইন কিবা কিবি মোক দিবি। কেইটামান ফল পাই মোৰ বৰ আনন্দ লাগিল। কালি বাতি ডিনাৰ নোখোৱাৰ শোধ তুলি দিলোঁ। খোৱা ছোৱাৰ পিছত ওৱেটাৰ আহি পৰিষ্কাৰ কৰি দিলে ঠাই ডোখৰ আৰু বিছনাখন উল্টাই 'ছোফা' এখন কৰি দিলে।



হোটেল গেলীয়া

অন্ধকাৰ পাকোতেই মোৰ টোপনি ভাঙ্গি গ'ল। পুৱাৰ কাজ শেষ কৰিলোঁ। বহুত সময় 'পাষচাৰি' কৰিলো 'কৰিডোৰত।' বোধ উঠাৰ পিছত এজন এজনকৈ সকলোৱে উঠিলে।

সকলো কোঠালীৰ পৰাই ঘন ঘন হুকুম 'ওৱেটাৰ'লৈ স্বামীজিৰ কিতাপ এখন লৈ দীঘল দিলোঁ। আমালোকে এতিয়া ঘাব লাগিছোঁ 'এড্রিয়াটিক ছি'ৰ কাষেৰে। নতুনকৈ সজা বহুত সৰু সৰু ঘৰ সাগৰৰ পাৰে পাৰে। অৱশ্যে মাজে মাজে মুকলি ঠাইও আছে। কোনো কোনো ঠাইত 'বীচ টাউন'। অন্য পাৰত ডাঙৰ সৰু পাহাড়ৰ গাত জখলাৰ দৰে ধাপ ধাপকৈ সজা ঘৰ।

আমালোকৰ ট্রেন যন সক সক ষ্টেশ্বনত থামা নাই। গাত কমকৈ ৬০।৬৫ ভিতৰত হব। মিলানো পাম গৈ আৰেলি। তাত গৈ কৰিব লাগিব আমালোকৰ গাড়ী বদল। গৰমৰ প্রকোপত আক নানা দৃশ্য চাই চাই মোৰ পিয়াহ লাগিল। ওৱেটাৰক ছোডা এবটল দিবলৈ কলোঁ। কাৰণ ম'ৰ ত'ৰ পানী খাবলৈ মোৰ ভাল নালাগে। তাৰ ওপৰত নব পৰিচিত এজন যাত্রী পানী খাবলৈ বাধাও কৰিছে। কৈছিল পানীখালে গাল কুলিবৰ আশঙ্কা আছে। কিন্তু ইয়ে পাওৰ বৰ্জিত দেশ তাক মোৰ জনা নাছিল। ওৱেটাৰে বাকছটো খুলি দেখুৱালে। দেখিলো বাকছ ভৰি 'বিয়াৰ'। আকৌ সকলো ষ্টেশ্বনতে চোডা পাবৰ উপায় নাই। আঢ়ৈই ঘণ্টাৰ পিছত বহু কষ্টেৰে এটা ষ্টেশ্বনত ছোডা পালোঁ, ধন্য দেশ বাবা!

'ঘিল' যেতিয়া আহিল দেখিলোঁ বিয়াৰতকৈ মোৰ ছবৰংৰ দাম দুই 'লিৰ' (ইটালীৰ টকা) বেছি, দেখি অবাক। ক'ত মদৰ দাম বেছি হব, তাত মোৰ ছবৰংটেই টেক্কা মাৰিলে।

আৰেলি ঠিক চাহৰ সময়ত আহি মিলানো পালোঁ। প্রকাণ্ড ষ্টেশ্বন। ষ্টেশ্বনৰ পৰা ওলাইহে হোটেল গালিয়া (Gallia) সোমালোঁ। খোৱাৰ পিছত হোটেলৰ বাহিৰলৈ ওলাই আহিলোঁ। ইইতৰ দেশৰ চহৰবোৰৰ লগত আমালোকৰ সিফালৰ চহৰৰ তুলনাই নহব। ইফালৰ চহৰবোৰ কি পৰিষ্কাৰ, যেন কালিয়ে তৈয়াৰ হৈছে। চাৰিওফালে জিক্ মিকাই আছে। ইবোৰৰ পিছত এটা কথা লুকাই আছে—স্বাধীন।

হোটেলৰ ছবি দিয়া বহুতো চিঠি লিখা কার্ড পৰি আছিল। এখন আনি ঘৰলৈ লিখিলোঁ। মোৰাৰ



হোটেল এম্বেছেডৰ—প্যাৰী

লাঞ্চৰ সময়ত মই আৰু মিঃ * * * একেলগে বহিলোঁ। মই পানীয়ৰ ভিতৰত ললোঁ কমলা টেঙাৰ ছবৰং, চোডা আৰু মিঃ * * * ললে 'বিয়াৰ'।

সময় হৈ আহিল আকৌ দল বান্ধি গাৰীত গৈ উঠিলোঁ। এইবাৰ যাব লাগিব ছুইট জাৰল্যাণ্ডৰ মাজেদি অলপীয় পর্ব্বত ভেদ কৰি। পৃথিবীৰ মাজত সকলোতকৈ ডাঙৰ

সুৰঙ। ছবভাগ্যবশতঃ দেখা নাপালোঁ। যেতিয়া পাব হওঁ তেতিয়া মই গভীৰ টোপনিত।

১১৯ মাইল অহাৰ পিছত পুৱা সাতটাৰ সময়ত পালোঁ গৈ প্যাৰী। এয়ে সেই ফৰাচী দেশৰ ৰাজধানী। সেই দেশৰ ৰাজধানী যত প্রথম জন্ম হয় এৰোপ্লেনৰ, যত সৃষ্টি হয় প্রথম গণতান্ত্রিকতা, যত সৃষ্টি হয় মোৰ অতি প্রিয় খেলা 'টেনিছ'। বলৈ আহে বিশ্বৰ মানুহ আমোদ কৰিবলৈ।

কিন কিনিয়া ববযুগ পৰিছিল। ওভাৰকোটটো গাত লৈ কঁপি কঁপি মটবত গৈ উঠিলোঁ। নগৰখন এতিয়া তন্দ্রাজৰিত ভাবে পৰি আছে। বদভ্যাসৰ বাবে অকল হাত-ভৰি লাবিছে। মানে দুই এখন দোকান খুলিছে। আমালোকক লৈ পোনে হোটেল এমাৰাছেডৰলৈ তাতে



লণ্ডন বিমানপোত—লণ্ডন

পুৱাৰ খোৱা শেষ হোৱাত ইম্পিবিয়েল এৱাৰ ওৱেজৰ অফিছলৈ গলোঁ। আমালোক প্রতিজনকে একোখন কৈ কার্ড দিলে তাত লিখা আছিল 'ছিউনম্বৰ'। ইয়াৰ পৰা গাৰী হ'ল বহুতো।

অফিছৰ পৰা গলোঁ 'লেবাৰগে' (Le Bourget airport) লৈ নগৰৰ পৰা বহু দূৰত। 'লেবাৰগে পাই কিছু সময়ত এটা ঘৰৰ ভিতৰত সকলোৱে বহিলোঁগৈ। তাৰ পিছত প্লেনত উঠিলোঁ। কুৱলী আৰু মেঘে ঢাকি বখাৰ কাৰণে প্যাৰী শুন্দৰ পৰা ভালকৈ দেখা নাপালোঁ। অকল 'ইফেল টাওৰাৰ'টো গর্ব্বেৰে থিয় হৈ আছে, দূৰৰ পৰা দেখিলোঁ।

প্যাৰীৰ পৰা ক্রয়ডন প্লেনেৰে দুই ঘণ্টা গোন্ধৰ মিনিটৰ বাট। ওপৰৰ পৰা 'ছিন' নদী বৰ সুন্দৰ লাগিল। সাপৰ সিচিনা অকাই পকাই বহুদূৰ চলি গৈছে। সক সক ঘৰ বাড়ী, বাস্তা ঘাট, লোক, জন, নদী নালা, ওপৰৰ পৰা দেখি মনত হৈছিল ই যেন 'লিলিপুটৰ' দেশ। এটা ফুকতে সমস্ত চহৰবোৰ উনাই দিব পাৰি। ইংলিছ চ্যানেলক আমাৰ সিপিনৰ বহল নদী যেন দেখি। চাওঁতে চাওঁতে ইংলিছচ্যানেল পাৰ হলোঁ।

বিলাতৰ মাটি দেখি সকলোৰে মুখতে আনন্দৰ আভা ফুটি উঠিল। কিন্তু অবিশ্বাস কলা বেথাক আঁতৰাব পৰা নাই। সকলোৰে মনৰ ভাব—

পিয়ালা লৈ ঠোটৰ কাষত
যাম যেতিয়া 'চুমুক' দিব।
মৃত্যু আহি সেই ক্ষণতে
বিন্ধিব পাৰে হঠাতে।

ক্ৰয়ডন পোৱাৰ আগতে দুই তিনিটা এৰোড্ৰোম দেখিলোঁ। মনত নানা ৰকমৰ চিন্তাৰ উদয় হ'ল। যালৈ খবৰ পঠাইছোঁ তেখেত সকল আহিছেনে নাই? যদি ভুলত খবৰ পোৱা নাই? এনেইতো ক্যায়ৰোত ঠগিছোঁ। ইয়াত এই চোৰৰ ৰাজ্যত কিমান ঠগিম কোনে জানে? চিন্তা কৰি লাভ নাই। 'যি আছে কপালে কালী। ক্ষেত্ৰ কৰ্ম্ম বিধিয়তে।'

দুশ পঁচিশ মাইল অহাৰ পিছত অৱশেষত ক্ৰয়ডনৰ টিকনি দেখিবলৈ পালোঁ। ছাদৰ ওপৰত বহুতো মানুহ যাত্ৰী সকলৰ বাবে অপেক্ষা কৰি আছিল। তাৰ মাজত মোৰ চিনা মুখ বিচাৰি নাপালোঁ। মনটো অলপ দমি গ'ল।

প্লেন এৱাৰ পোৰ্টত নামিল। সকলোৰ মুখতে নৱ-জীৱনৰ আনন্দ। এতিয়া আৰু প্লেনত উঠিব নালাগে জানি সকলোৰে শেষত নামিলোঁ। মোৰ হাতত কেইদিন মান আগতে কিনা ক্যামেৰাটো—যিটোৰে অহাবাটৰ বহু স্মৃতি বৈ আনিছোঁ।

কাষ্টম অফিচত আহি সোমালোঁ। বাকছবোৰ খুলি দেখুৱালোঁ। ইফালে বেছি নজৰ নিদিলে। ক্যামেৰাটো দেখি সুধিলে কিমান দাম নিছে? কিমান দিন হ'ল এইটো কিনিছোঁ? কিমান দিন ইয়াত থাকিম? "সদায় সচাঁ কথা কবা" এই কথা যাৰ যোনে লিখিছিল তেখেতে বোধ হয় কেতিয়াও কাষ্টম অফিছত সোমোৱা নাছিল। সোমালে এই কথা নিলিখিলে হেঁতেন। সেই ধাৰণা লৈ মই ঠিক ঠিক উত্তৰ দিলোঁ। তেতিয়া কোনে জানিছিল এই সত্য কথাৰ পিছত লুকাই নিষ্ঠুৰ নিয়তিয়ে তাইৰ জিভা মেলি মোৰ নতুন প্ৰিয় ক্যামেৰাটো চেলেকিছে!

"কি! কেনে আছা? ইমান দেৰি কৰিছা কিয়?" ঘূৰি দেখো আতা। বৰ আনন্দ লাগিল। আথৈ পানীত কাঠ পালোঁ ক্যামেৰাটোৰ বিষয় আতাক কলোঁ। আতাই বহুতো চেষ্টা কৰিলে উদ্ধাৰ কৰিবলৈ। কিন্তু চেষ্টা কৰিলে হব কি ক্যামেৰা তেতিয়া লগ পোৱাৰ



মেনৰ ৰোড—টেঙ্কাৰটন

বাহিৰত। শেষত কলে—৫৫ পাউণ্ড জমা দিলে (মানে সেই ডিউটি) পিছত ক্যামেৰা পাব পাৰোঁ নাইবা যদি ছমাহৰ ভিতৰত ইয়াৰ পৰা গুচি যাওঁ তেনেহলে সেই ৫৫ পাউণ্ড ফিৰৎ পাম। কলোঁ ক্যামেৰা ঘূৰাই নিলে কিবা দিব লাগিব নেকি? উত্তৰ দিলে—নালাগে। তেতিয়াও ক্যামেৰাৰ মায়া এৰিব পৰা নাছিলোঁ। কলোঁ—কালি আহি জনাম।

বাহিৰলৈ আহি দেখিলো আবু আৰু পেহী উৎসুক ভাবে থিয় হৈ আছে। ওচৰলৈ গৈ প্ৰণাম কৰিলোঁ। চাৰিও ফালৰ মানুহবোৰে অবাক হৈ ভাৰতীয় ব্যৱহাৰ দেখিব ধৰিলে। মটৰত গৈ উঠিলোঁ। ৰওনা হলোঁ কেণ্টৰ ফালে। আতাই য'ত ঘৰ লৈছে সি ঠাই ইয়াৰ পৰা ৬৪ মাইল। নাম হৈছে ট্যাঙ্কাৰটন। মূৰত ভোঁ ভোঁ ভাবটো এতিয়াও যোৱা নাই। গাড়ী যেতিয়া তললৈ নামে তেতিয়া প্লেনৰ নিচিনা মোৰ কাণ দুখন বন্ধ হৈ যায়। আকৌ সেই প্ৰক্ৰিয়াৰে ভাল কৰিব লগা হয়।

Tankerton লৈ আহোঁতে বাটত সৰু বৰ বহুতো চহৰ পালোঁ। তাৰ ভিতৰত দুই এটা ছয়শ সাতশ বছৰ আগৰ। এই ঠাই ডোখৰ পাহাৰীয়া। মোৰ দেখি দেখি শ্বিলংৰ কথা মনত পৰিবলৈ ধৰিলে। শাওন মাহ সিমান বেছি জাৰ নহয়। বাহা পোৱাৰ আগৰ পৰাই কিনকিনিয়া বৰষুণ পৰিবলৈ ধৰিলে। ঘৰ পাই তাৰা তাৰিকৈ মটৰৰ পিছৰ পৰা বাকছ বোৰ নমাই ললোঁ। চাকৰৰ কোনো দৰকাৰ নাই। এতিয়া মই নিজেই স্বয়ং। গৰম পানীৰে গা ধুই ললোঁ।

খোৱাৰ পিছত ফুৰিবলৈ ওলালোঁ। সৰু ঠাই অথচ অভাব নাই একোৰে। আগতেই সাগৰ, ঠিক তাৰ কাষতেই সৰু সৰু 'হাট্'। সমুদ্ৰত যিসকলে গা ধোৱে তেওঁ লোকৰ বহুতৰেই এই বোৰ 'হাট্ অৰ্থাৎ ঘৰ। এতিয়া সাগৰৰ পাৰত বৰ ভীৰ। বহুতে এই 'হাট' বোৰ ভাড়ালৈ দিয়ে। যিসকলে আহে ছুটীৰ দিনত ফুৰিবলৈ। ছুটী ভোগ কৰে গোটেই দিনটো এই 'হাটতে'। ৰাতি কোনোৱে ইয়াত থাকিবৰ নিয়ম নাই। নহলে হয়তো ৰাতিও ইয়াতে কটালেহেঁতেন। অৰ্দ্ধ উলঙ্গ হৈ বহুতেই বহি বহি ৰ'দৰ তাপ লৈছে। তাৰ



টেঙ্কাৰ্টনৰ নামনি ভাগ

মাজত তিবোতাই বেছি। এইদেশত ছোৱালীৰ সংখ্যা বেছি নহয় কেলেই? এজন পুৰুষৰ পিছত তিনিজন নী

মাজত এটা বেছ প্ৰাণৰ স্পন্দন অনুভব কৰা যায়, যি আমালোকৰ তাত পোৱাৰ উপায় নাই। দেখি মনত



টেৰ্বাৰ্টনৰ এটি আলিবাট



টেৰ্বাৰ্টনৰ আন এচোৱঁৰ নামনি

কৈ তিবোতা পৰিব। আলিবাটত ওলালে দেখা যায় হ'ল জীৱন সুধা কেনেকৈ পিৰ লাগে তাক এওঁলোকে পুৰুষত কৈ ছোৱালীৰ সাথ্যাই বহুত বেছি। ইইতৰ জানে। হিংসা হয় দেখি। কেতিয়া পাম আমালোকে

এনেকৈ হাঁহি ধেমালি কৰি ফুৰিবলৈ? কেতিয়া আহিব আমালোকৰ সেই দিন?

সুস্থাছ শামুক পোৱা নাযায়। খায় আকৌ কেনেকৈ? একেবাৰে কৈটা—নোচোৱোৱাকৈ।



নামনি এচপ্লেনেড—টেৰ্বাৰ্টন

ট্যাংকাৰটনৰ কাষতেই হৈছে হুইট্‌ষ্টেব্‌ল(Whitstable) বহু পুৰণি চহৰ। হুইটষ্টেব্‌ল্‌ প্ৰসিদ্ধি লাভ কৰিছে ভাল শামুকৰ বাবে। তাৰ মাছুহে খুব

ফুৰি ফুৰি ক্লান্ত হৈ পৰিলোঁ। তপন বিদায় ললে আজিৰ বাবে। সাগৰ বন্ধুই ভাৰ ললে নিশাবে পোৱাই



হুইটষ্টেবল বন্দৰ



ব্ৰাক আৰু মিচ চৌধুৰী—টেংকাৰটন

ভাল পায় শামুক খাবলৈ—খুব ভাল পায় কৰাচীবোৰে গেনে ভেকুলী। ইংলণ্ডৰ আৰু কোনো ঠাইতে এনে

দিবৰ। দীঘ বিবহৰ পিছত ফৰিকলৈ দুই বন্ধুৰ মিলন। আনন্দৰ আভা উপচাই দি গ'ল দৰণীৰ বুকুত

বিশ্বনাথ সাহিত্য সভাৰ—প্ৰথম-বাৰ্ষিক অধিবেশনৰ সভাপতিৰ অভিভাষণ

—শ্ৰীযুত মহাদেৱ শৰ্ম্মা

আজি আপোনালোকৰ সাহিত্যসভাৰ বহুবৈকীয়া অধিবেশনত যোগদান দিবলৈ মোক দাওঁতপূৰ্ণ যি সুযোগ দিলে তাৰ বাবে পোনতে আপোনালোকক আন্তৰিক ধন্যবাদ নিদিলে মোৰ কৰ্ত্তব্যত ত্ৰুটীৰ চেকা পৰিব। আপোনালোকৰ বাণীদেবীৰ এই পূজা আয়োজনত মোৰ অধিকাৰ কিমান সেইটো বিবেচনাৰ বিষয় থকাৰ থৰতো নিজ স্নেহ ভাবেৰে আপোনালোকে মোক ইয়ালৈ আকৰ্ষণ কৰি আনিলে। মোৰ সৰল মিনতি আপনাসকলৰ ওচৰত এয়ে যে ঠিক সেই ভাবেই যেন মোৰ কাৰ্য্যবলী গ্ৰহণ কৰি কৃতাৰ্থ কৰে।

শুভ্ৰদেবী বাগ্দেবীৰ সাধনা কৰিলে, পূজা কৰিলে সকলো বিভব সিদ্ধ হয় অৰ্থাৎ লাভ হয়। সাহিত্য সাধনাৰ আমাৰ এই যে আয়োজন ইয়াৰো প্ৰকৃত উদ্দেশ্য এই "বিভবসিদ্ধি" লাভ কৰিবলৈকে। ঐশ্বৰ্য্য-বিভূতি সাংসাৰিক হিচাবে। ঐশ্বৰ্য্য বিভূতিৰ সাংসাৰিক প্ৰয়োজনীয়তা স্বচ্ছন্দ অবস্থাত হয়তো কোনোৱে ভালকৈ উপলব্ধি কৰিব নোৱাৰে, জীৱন গ্ৰহণৰ দৰে সহজাত বস্তু বুলিয়েই ভাবে, কিন্তু প্ৰকৃততে সি সত্য নহয়। সাধাৰণ জড় ঐশ্বৰ্য্য-বিভূতি লাভ কৰিবলৈকো মানুহৰ সাধনা অৰ্থাৎ অধ্যাবসায়ৰ আৱশ্যক কৰে।

বাণীদেবীৰ ভুৱন যি বিভূতি সি মনোৰাজ্যৰ সম্পদ উভয়কে বাণীদেবীৰ কৃপাৰ লাভ কৰিব পাৰি।

এই স্থূল ঐশ্বৰ্য্য বা ধন আৰু মনোৰাজ্যৰ সম্পদ বা জ্ঞান কিম্বা ভাৱ বাশি বিকাশৰ চেষ্টা অথবা ভাবময় দেবতা লাভৰ কাৰণে কৰা ব্ৰতাদি কাৰ্য্য এই উভয়েই একে ঠাইতে বন্দী হৈছে। সুকীয়াকৰণ-কল্পনা কৰি শোভনা মহিমময়ী লক্ষ্মীদেবীও মোৰ মনেৰে এই একে বাগ্দেবীৰ অঙ্গ মাথোন। বহুতে কয় লক্ষ্মী আৰু সৰস্বতীৰ মাজত বিবাদ আছে আৰু সেই কাৰণে দুয়ো একে ঠাইতে নেথাকে। এইটো নিতান্ত স্থূল ভাবৰ কথা। ধনৰ দাম্ভিকতা আৰু জ্ঞানৰ অহমিকতা উভয়ে বৰ্জ্জনীয়। মনে মনেকৈ ধৰ্ম্মৰ মূল তেনেকৈ মানুহৰ শক্তিলাভৰ সকলো প্ৰয়াসেই "জ্ঞানে পৰিসমাপ্যতে"। আচলতে পূৰ্ণাঙ্গ হবৰ হলে উভয়কে লাগে আৰু বাণী দেবীয়ে সেই উভয়কে দিব পাৰে॥

"বিদ্যা দদাতি বিনয়ং বিনয়াং যাতি পাত্ৰতাম্।
পাত্ৰত্বাৎ ধনমাপ্নোতি ধনাৎ ধৰ্ম্মং ততো সুখম্॥"

এই কাৰণেই আপোনালোকে প্ৰকৃততে পূৰ্ণাঙ্গ লাভৰ কাৰণে এই সাধনা ক্ষেত্ৰ তৈয়াৰ কৰি প্ৰত্যেকেই নিজ নিজ শক্তি অনুযায়ী সাধনা কৰিবলৈ প্ৰয়াস পাইছে।

সেই প্ৰয়াসত সেই ব্ৰত পালনত সহযোগিতা কৰিবলৈ মাথোন আমাৰ দৰে সেৱকক আপোনালোকৰ প্ৰয়োজন। তদতিৰিক্ত কোনো সাৰ্থকতা মোৰ মনেৰে শক্তিৰ হব নোৱাৰে।

আপোনালোকে জানে হিন্দু জাতিয়ে Evolution তকৈ Involutionতে বেছি আস্থা ৰাখে। বাহিৰ জগতৰ অভিব্যক্তিবাদ হিন্দু দাৰ্শনিকৰ মতে যি আছে ভাণ্ডত সি আছে ব্ৰহ্মাণ্ডত;—আমাৰ অন্তৰ্নিহিত যাবতীয় শক্তি নিজ সাধনাত ক্ৰমে স্ফুৰিত হয় আৰু তাৰ দ্বাৰাহে মানুহে নতুন জীৱনলাভ কৰে কিম্বা উন্নত হয়। আজি কালি পাশ্চাত্য মনিষী সকলেও অভিব্যক্তিবাদ আগৰ ভাবে গ্ৰহণ নকৰে। আচলতে শক্তি নহলেনো তাৰ স্ফুৰণ ক'ৰ পৰা হব? বীজ নহলে যেনেকৈ অঙ্কুৰ হোৱা অসম্ভৱ সেই দৰে আমাৰ নিজৰ ভিতৰত সকলো আছে কাৰণে সকলো সময়তে উপযুক্ত ইঙ্গিত পালেই আমি ভিন ভিন শক্তিৰ উমান্ পাই প্ৰয়োজনমতে আমি তাক সাধনা কৰি বশীভূত কৰি লৈ কাৰ্য্যত ব্যৱহাৰ কৰোঁ। বহু বান্ধবৰ সহিতে লগ লাগি এই সাহিত্য সাধনা কৰিবৰ প্ৰয়াস পাইছোঁ আমাৰ বিবাট অন্তৰ দেৱতাক জগাই তুলিবলৈ। বাহিৰৰ পৰা স্পন্দনে আমাৰ এই সাধনাত ইন্ধন যোগায় মাথোন। অন্তৰ দেৱতাক জগোৱা কিম্বা মনোৰাজ্যৰ সম্পদৰ অধিকাৰী হবৰ কাৰণে যোগ্যতা লাভ, নিজৰ শক্তিবেই কৰিব লাগিব; আনে কি নিদিয়ে।

দাপোনত মলি পৰি থাকিলে যেনেকৈ নিজৰ মুখবিখ দেখা নাযায় সেই দৰে মায়া মোহৰূপ মলিয়নে আমাক আবৃত কৰি থকা বাবে আমি আমাৰ শক্তিৰাশিৰ সন্ধান নাপাওঁ। আমি প্ৰকৃততে সিংহৰ সন্তান কিম্বা "অমৃতস্য পুত্ৰাঃ" হৈও নিজক ক্ষুদ্ৰ আৰু দুৰ্ব্বল বুলি ভাবি পথভ্ৰষ্ট হৈছোঁ। সাহিত্য চৰ্চ্চা কিম্বা সাধনা দ্বাৰা আমি নিজকে চিনিবলৈ, লই পথৰ পৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰিছোঁ আৰু সেয়ে তাৰ প্ৰকৃত লক্ষ্য। সেই কাৰণেই বন্ধু সকল, আপোনা লোকে মন কৰিলে দেখিব যে আমাৰ পুৰণি সাহিত্যত পোণ পতীয়াকৈ এই মায়া-মোহৰ পৰা উদ্ধাৰ পাবৰ কাৰণে যাবতীয় চেষ্টা কৰিছিল আৰু সেই কালৰ যাবতীয় সাহিত্য গ্ৰন্থই ধৰ্ম্মশাস্ত্ৰ কপে আজিও আমাৰ মাজত পূজা পাই আছিছে। হিন্দু জাতিৰ অধঃপতনৰ লগে লগে সাহিত্যই কপ সলাব লগাত পৰিল। সাহিত্যটো এটা জাতিৰ বুধজী মূলক প্ৰতিবিম্ব। তাত জাতিৰ জাতীয়তা লুকাই থাকে। হিন্দুজাতিৰ অভ্যুদয় কালৰ সাহিত্যৰ লগত পতন যুগৰ সাহিত্য মিলাই চালে এই কথাৰ সত্যতা ওলাই পৰিব। হিন্দুজাতিৰ অভ্যুদয় কালত তাৰ জাতিগত আদর্শ অক্ষুন্ন আৰু অবিমিশ্ৰ হবৰ সুযোগ আৰু সুবিধা পাইছিল। সেই কালৰ জাতিগত আদর্শ আছিল মায়া-মোহ দূৰ কৰি প্ৰকৃত প্ৰাণবন্ত লাভ কৰা; তেওঁবিলাকে চেষ্টা কৰিছিল "এনে এটা বস্তু লাভ কৰিব লাগিব যিটো বস্তু পালে সংসাৰত সকলো বস্তু পোৱাৰ তুল্য হব। যিটো বস্তু জানিলে সংসাৰৰ নজনা কথা একো নেথাকে। সেই কালৰ সাহিত্যৰ ভিতৰে দিয়েই জনা যায় যে সেই আদর্শ বাৰ হৈয়ে থকা নাছিল। সেই কালত অন্যান্য বিষয়েও ঐশ্বৰ্য্য বিভূতি লাভ পূৰ্ণ মাত্ৰাত হৈছিল।

সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখা পুষ্প-পল্লবে জাতিস্বাৰ হৈ উঠিছিল। জাতিৰ পতনৰ লগে লগে আধামিশ্ৰ আদর্শবাদ, মোহ-মায়া দূৰ কৰি প্ৰকৃতিৰ পৰা জ্ঞান লাভৰ চেষ্টাত ভুলে ধৰিলে। বস্তু তন্ত্ৰবাদ বা ইহজগত সৰ্ব্বস্ববাদ আমাৰ মাজত সোমোৱাত সাহিত্যয়ো তাৰ ঠাচ লব লগাত পৰিল অপৰা জ্ঞানৰ প্ৰভূত বাঢ়িল। অপৰা জ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা পুষ্প-পল্লব পৰিশোভিত হল, জাতিৰ আদর্শ ক্ষুণ্ণ হল আৰু তাৰ চিন-চাব গ্ৰহণ কৰিলে।

ভাবময় জগৎ। জগত ভাব বিকাশৰে আধাৰ মাথোন। এই ভাব বিলাক প্ৰাণশক্তিৰে বিভিন্ন কপ। সাহিত্যই এই কপ প্ৰকাশৰ বাহন। ভাবৰ বিচিত্ৰতা, ভাবৰ সৌন্দৰ্য্য, ভাবৰ আনন্দ এই সাহিত্যৰ ভিতৰেদিয়েই স্ফুট ওলায়।

ভাবৰ গভীৰতাৰ পৰিমাণ হিচাবেই সাহিত্যয়ো সদনং নাম পায়। গভীৰতম প্ৰদেশৰ প্ৰাণশক্তি লাভ কৰিবলৈ ভাবে সিমান গভীৰতা লাভ কৰিব। মানুহৰ জীৱনৰ ভাবধাৰাৰ গভীৰতম প্ৰদেশত স্পন্দন তুলিব পৰা শক্তি থকা কাৰণে বাল্মিকীৰ ৰামায়ণ হাজাৰ হাজাৰ বছৰৰ পাছতো চিৰ নতুন কপে মানুহক কন্দুৱাব পাৰে, হৃদয়াৰ পাৰে কিম্বা ওস্তিত কৰিব পাৰে।

ব্যাস দেৱৰ মহাভাৰত আজিও পঢ়িলে আমি তাত নিতে নতুন ভাৰৰ আস্বাদ পাওঁ। সাধনা লব্ধ পুত ভাৰৰাশি ব্যাস বাগ্মিকীৰ হস্তামলকবৎ নোহোৱা হলে আজিও সেই সাহিত্যই আমাক আনন্দ বিষাদৰ স্পন্দন অনুভব কৰাব নোৱাৰিলে হেঁতেন। সেই কাৰণে সাহিত্য সেৱী সকলৰ পোন প্ৰথম আৰু প্ৰধান লক্ষ্য হব লাগে এই প্ৰাণ শক্তি লাভৰ চেষ্টা কৰাটো। সেই প্ৰাণশক্তি লাভ কৰিব পাৰিলে ভাব ভাষা, সাহিত্য আপোনা আপুনি কৰায়ত্ত হব। আপোনালোকৰ সাহিত্য সাধনাই তেতিয়াহে

প্রতিষ্ঠা লাভ করিব। সব জগতের কালের প্রভাব অতিক্রম করিবার হলে আমি সেই প্রাণশক্তির আশ্রয় লবলৈ প্রয়াস পাবই লাগিব। যি বিমান তার ওচর চাপিব সি সিমানেই সমাজত প্রতিষ্ঠা লাভ করিব, আনন্দর অধিকারী হব।

স্থূল জগতর বিভূতি লাভর আনন্দতকৈ অন্তর্জগতর সম্পদ লাভর আনন্দ অতি গভীর, অতি বিমল, অতি শান্তিপ্রদ। এই শান্তি প্রদ, বিমল, গভীর, আনন্দ সাহিত্যত আছে কারণে সাহিত্য সেরী সকল, বাণী দেবীর বরপুত্র সকল অমর হয়। সব জগতত অমর হোরা পদ্য সাহিত্যই দান করে।

সাহিত্য সাধনা সেই কারণেই প্রকৃষ্ট সাধনা। এই সাধনাই আমাক ক্রমে সত্যর ওচরলৈ, মঙ্গলর ওচরলৈ সুন্দরর ওচরলৈ লৈ যায়। আমাক প্রকৃত আনন্দর অধিকারী করে। ভাবর আক অভাবর মাজর বিরোধিতাত সাহিত্যই সেতু বান্ধে আক ভাবাতীত বস্তুর ইঙ্গিত দি আমাক চির শান্তি ধামর, আনন্দধামর সৌন্দর্য্য বিভূতি দেখুরাই স্তম্ভিত করে অর্থাৎ সবিকল্প সমাধি দান করে। জগতত ইয়াতকৈ অমূল্য বস্তু কি আছে?

ইষ্টলাভ বা শ্রেয়লাভ সহজ সাধ্য নহয় কঠোর সাধনার প্রয়োজন হয়। অথচ মানহ নামর অধিকারী হবর হলে এই ইষ্টলাভ বা শ্রেয়লাভ অপরিহার্য্য কর্ত্তব্য।

আমার পরম সৌভাগ্যর গুণত মহাপুরুষ সকলর সাহায্য এই কঠোর বিষয় বিলাক সহজ করার বিষয়ত যুগে যুগে পাই আহিছোঁহক। গীতাত ভগবান্ শ্রীকৃষ্ণই অর্জুনক অভ্যাস যোগর বলেরে অসাধ্য সাধন করিবলৈ উপদেশ দিছিল।

রাম কৃষ্ণ পরমহংসই কৈছিল "সত্য বস্তু লাভ করা সহজ নহলেও "ভাব মুখে থাকিলে" সহজে ইষ্ট সিদ্ধি হয়' আমি নিজ নিজ জীবনত আমার কচি আক শক্তি অনুযায়ী একোটা ভাব লৈ সেই ভাবকে আশ্রয় করি যদি আমার যাবতীয় কার্য্য নিয়মিত করোঁ, তেন্তে সেই ভাবর ধারায়ে আমার সত্যবস্তু লাভ হব। ভাবর ডাঙর সরু নাই।

ভাবর ধারা আছে। এটি সিদ্ধি হলে ক্রমে সাধক আগুরাই যাবলৈ বাট পায়। সেই কথাকে সাবোগত কবি সাহিত্যর বিরাট অবয়ব বিশ্লেষণ করি তার সুকীয়া আক বিভিন্ন সৌন্দর্য্য আচুতিয়াকৈ দেখুরাবলৈ প্রয়াস নকরি ইয়াকে মাথোন নিবেদন করোঁ যে সাহিত্য সেরার কারণে আমি যদি দৃঢ় প্রতিজ্ঞ হওঁ, "ভাবমুখে থাকি" অর্থাৎ তাকে লক্ষ্য রাখি সদায় সেইটোকে দিয়াই আমার যাবতীয় কার্য্য নিয়ন্ত্রণ করিলে সাহিত্য সাধনা নিশ্চয় সফল হব; আমার মাতৃভাষার অশেষ উন্নতি হৈ ক্রমে মুখ উজ্জ্বল হব। বন্ধুসকল, ইমান সময়তৈকে মই সাহিত্যর মূল লক্ষ্য আক সাধারণ লক্ষণ সম্বন্ধে আক তাত আমার কর্ত্তব্য সম্বন্ধে অলপ ইঙ্গিত করিলোঁ।

সাহিত্যর এই বিরাক বিষয়ত করবৈ বহুত থাকিলেও সম্প্রতি আমার যেনে সুযোগ বিধা যেনে প্রয়োজন তাত আক ইয়াতকৈ সবহ কোরা টান। মুঠতে আমি সাহিত্যর মাজত জন্মো, ডাঙর দীঘল হওঁ আক তার মাজতে আমার পতন হয়। উশাহ নিশাহর দরে নিয়েই আমার প্রধান লগধীয়া। সাহিত্যত সত্যর সন্ধান। সত্য লাভ করিবলৈ পথর সন্ধান সেই পথর পথিক সকলর সন্ধান এই এটাই বিলাকেই আছে। নিকপিত আক কম সময়র ভিতরত আমার বক্তব্য শেষ করিব লগীয়া থকাত ইয়ার সম্যক আলোচনা দুরূহ। সাহিত্যর সাধারণ লক্ষণ সাহিত্যর বিভিন্ন বিভাগ, প্রত্যেক বিভাগর বিশেষত্ব আক প্রয়োজনীয়তা সম্পর্কে মোর বিশ্বাস আপোন লোকর জনা আছে। পদ্য সাহিত্যর কবিতা কাব্যই আপোনাক অমর ধামলৈ নিয়ে, গদ্য সাহিত্যর আলোচনাই আপোনার ধ্যান মগ্ন যোগী করি তত্ত্বান্বেষণত সহায়তা করে। ব্যাকরণ, ছন্দ, অলঙ্কার শাস্ত্রই পূর্ণাবয়ব সাহিত্যর সুকীয়া বিভাগর সৌষ্ঠব ফুটাই তুলি আপোনাক অভিজ্ঞতা দান করে।

বিজ্ঞান সাহিত্যর শক্তিয়ে আপোনার কল্পনাক্ষণ দান করে। মনোরাজ্যর আকাশত উরি আপুনি দুই নহৈ আপোনার সাধনাবে আজি শক্তিক বশীভূত করি সদৌরে আকাশত বিচরণ ক্ষম হৈছে ইত্যাদি উপজ্ঞাসর উপদেশ, বুরঞ্জীর সন্ধেদ নাটকর চিত্রাঙ্কণীয়ে আপোনার প্রাণর তোলা স্পন্দন সম্পর্কে তার প্রয়োজনীয়তা সম্বন্ধে সাহিত্য

হিচাবে আক আপোনার কার্য্যকরী জীবন হিচাবে ইয়াত বহলাই নকলেও আপোনালোক সকলোরে ইয়ার মহিমা নিশ্চয় উপলব্ধি করিছে। মোর মাথোন বক্তব্য এই যে সাহিত্য সাধনার এই বিভিন্ন প্রচেষ্টার একমাত্র লক্ষ্য সেই "একং সত্যং পুরুষাঃ বহুধা বদন্তি"র বিভূতি প্রকাশত মহিমা উপলব্ধি করাই মায়া-মোহর পরা টানি আনি আমাক অমর করিবলৈ করা চেষ্টার পদচিহ্ন। এই পদচিহ্ন বিলাক সকলো সাহিত্য সেবীর বঠাভরণ হওক এয়ে মোর নিবেদন। সাহিত্যর বিশালতার মাজতে থাকি অকল সেই বিষয়র মাথোন দুই চারি কথার ইঙ্গিত করিয়েই মোর কর্ত্তব্যর শেষ করিলে সত্যর অপলাপ করা পর্য্যন্ত দোষত দোষী হম। প্রাণবন্তুরেই একমাত্র সত্য বস্তু হলেও সেই বস্তু প্রকাশর আধার শরীরো অবহেলার বিষয় নেনেকৈ নহয় সেই দরে সাহিত্যর বিশালতাই সত্যবস্তু হলেও আমার আজির এই সভার পক্ষর কর্ত্তব্য সম্পর্কেও সুকীয়া দুই এটি কথার আলচ নকরা অন্যায়। বিরাটর সন্ধানেই আমার সাধনার লক্ষ্য হলেও স বাটর বিষয়ে আমার প্রাথমিক জ্ঞান নিতান্ত প্রয়োজন আক এই সবাটর সহায়বেহে বিরাটর সন্ধান আমি পার্থক্ক।

দুই শালর পরাহে মানুহ ক্রমে কমার শালর ওচর পোরার দরে সগুণ, সবাটর মাজেদি গৈহে আমি নির্গুণ বিরাটর ওচর পারবৈ পারোঁ। এয়ে জাগতিক রীতি।

সাধারণ শরীর গ্রহণ করি "নাস্তম্ ন মধ্যম ন পুনস্তবাদিম্"র রূপ দেখি শ্রীমৎ অর্জুনর দরে শক্তিশালী লোকো বিমুঢ় হোরা কথা পাহরিবে আমার চলিবনে? সেই কারণে সম্প্রতি মই এই সভার জরীয়তে আমার চিরাবাধ্যা নিজ মাতৃ ভাষা তথা সাহিত্যর সেরা কথঞ্চিৎ প্রকারেও কেনে ভাবে করিলে শ্রেয়ো লাভ হব তার দুই এটি আভাস ইয়াতে দি মোর বক্তব্য শেষ করিম।

বন্ধুসকল, আপোনালোকর এই সাহিত্য সভা আশা করো আমার অসম সাহিত্য সভার এটি শাখা সভা।

শাখা হিচাবে ইয়ার উদ্দেশ্য থাই সভাবে অনুরূপ হোরা উচিৎ। সেই সেই অনুষ্ঠানেবে পোণতে উদ্দেশ্য নিরূপিত করি লৈ সেইমতে কার্য্য ক্রম নিয়ন্ত্রণ করা হয়। সাহিত্যর পূর্ণতা লাভ করিবলৈ বিভিন্ন অঙ্গর সৌষ্ঠব বৃদ্ধির কারণে সুকীয়া চেষ্টা প্রয়োজন হয়। শাখা সভা বিলাকে যদি নিজ নিজ ঠাইর পরা তার বিশেষত্ব নৈতে অকপট চেষ্টা করে এই পূর্ণতা লাভর কারণে তেন্তে থাই সভা যে সহজে বলবান হৈ উঠি পরিব তাত অনুমাত্রো সন্দেহ নাই। তাকে নকরি নামত মাথোন সভাপতি যদি গতানুগতিক রূপেই চলা হয় তেন্তে ইয়ার সার্থকতা ক'ত?

আপোনালোকে এই অঞ্চলর পুরাতত্ত্ব গোটাওক, সাধুকথা সংগ্রহ করক, কিম্বদন্তি, ফকরা, নীতিবচন আদি ইয়ার বিশেষ বিশেষ সমল আক সম্ভুলিও সংগ্রহ করক!

সাহিত্যত থকা আমার অভাবৈলে দৃষ্টিবাধি সেইবোর পুরণ করিবলৈ শক্তি অনুযায়ী কার্য্য পন্থা লওক।

আধুনিক সাহিত্যত আমার বহুত বিষয়ত অভাব। পুরণি সাহিত্য সম্পদর কথাকে কৈ থাকিলে আমার উন্নতি নহয়। আধুনিক সাহিত্য সবল করিবই লাগিব। এই আপোনালোকে পণ করি থাই সভাক সাহস দিয়ক।

জাতীয়তা রক্ষা করিবলৈ হলে আমি আমার সাহিত্যর উন্নতি করিবলৈ চেষ্টা করিবই লাগিব।

বিবিধ বিপাকত আজি আমি সর্ব্ববিষয়ে দুর্ব্বল হৈ পরিছোঁ। সাহিত্য ক্ষেত্রত আমি আমার নিচেই ওচর চুবুরীয়া বঙ্গ-ভাষীরে ফের পাতিব লগাত পরিছে। সৌভাগ্য ক্রমে তেওঁ বিলাক আমাতকৈ সাহিত্য ক্ষেত্রত বিশেষ উন্নত।

সিবিলাকর পুরণি সাহিত্যর সম্পদত বিশেষ ধনী নহলেও আধুনিক সাহিত্যত যথেষ্ট প্রতিষ্ঠা লাভ করিছে।

আমার কিন্তু সিবিলাকর বিপরীত সেই কারণে আমার মাজত সম্প্রতি আন বিষয়ত সংরক্ষণ নীতি গ্রহণ করাদি সাহিত্য ক্ষেত্রতো সেই নীতি পালন করিবর কারণে এটা আন্দোলন চলিছে। বহুতে ভাবে যে, নির্ভাঁজ অসমীয়া ভাষা আক সাহিত্য রক্ষা করিবর হলে আমি বঙ্গ ভাষা আক সাহিত্যর প্রভাবর পরা মুক্ত হব লাগিব। বঙ্গ সাহিত্যই আমার ডেকা সাহিত্যিকর ভাষা আক সাহিত্যত বিশেষ প্রভাব বিস্তার করি

বঞ্চনলুব্ধা কবিছে। তাব প্রতিকাব স্বকপে বহুতে আমাব বর্ণমালা পর্য্যন্ত সলাবলৈ মত প্রকাশ কবে। এই বিষয়ত অবশ্যে মতভেদ যথেষ্ট আছে।

তথাপি আত্মবক্ষা কবিব লগা কথাটো সকলোবে স্বীকাব কবে। অবশ্যে এইটোও সচা কথা যে গছব পুলি বোৱঁতে সকতে তাক ভেটি কুটি আপডাল কবিব লাগে। ডাঙৰ হৈ উঠিলে আৰু সেই ভেটাব প্রয়োজন নকবে। সি নিজে নিজক বক্ষা কবিবলৈ সমর্থ হয়। সেই হিচাবে অবশ্যে পোণতে আমাব আত্ম বক্ষাব বাবে কিছু সংবক্ষণ নীতি মানিবই লাগিব। মোব বোধেবে বঙ্গ সাহিত্যব প্রভাব এবাবলৈ বর্ণমালা সম্পূর্ণ বাদ নিদি আমাব বিশেষ থকা বর্ণমালা কেইটাকে পুনব প্রচলনব চেষ্টা কবিলে আৰু লগে লগে সেই বিষয়ে আমাব উঠি অহা ডেকা সকলক সাৱধান কবি দিলেই সেই দোষ খণ্ডন হব। সম্প্রতি আমাব সাহিত্যত এনে কার্য্যক্ষম সাহিত্য সেবীব প্রয়োজন হৈছে। মোব বোধবে আমাব অসমীয়া জাতিব বর্ত্তমানে জীবন মবণব সমস্যাব সময় পবিছে। বাহিবব ফালব পবা আন আন প্রদেশব ভাইহঁতব হেচা সর্ব্বপ্রকাব আমি সহিব লগাত পবিছো।

এই সময়ত সর্ব্বপ্রকাব আত্মবক্ষা কবিবলৈ আত্ম নিয়োগ নকবিলে আমাব ভবিষ্যত নিশ্চয় আন্ধাব।

সাহিত্য পিছবে কথা সম্প্রতি আমাব জাতিবক্ষা পবাবে শঙ্কা হৈছে। যোৱা চেন্সাচ বিপোটটো তাব স্পষ্ট আভাস দিয়া হৈছে। গুতিকে সকলো বাইজবে নিজক তথা সাহিত্যক বক্ষা কবিবলৈ যাব যেনে শক্তি নিয়োগ কবিবলৈ দৃঢ় প্রতিজ্ঞ হোৱা উচিত।

"শ্রীহট্ট বাদ হওক আমাব প্রদেশব লগত আৰু সাম্বুবি বাখিব নালাগে" এনে ধবণব এটা প্রবল আন্দোলন আমাব দেশজুবি কিছুদিনব পবা চলিছে। এইটো আচলতে বাজনীতি হিচাবব কথা হলেও সাহিত্যব ফালব পবাও এই আন্দোলন সমর্থন কবাব প্রয়োজন আৰু সার্থকতা আছে।

অস্বাভাবিক প্রাদেশিক বিভাগ হলে সি সোনকালে কোনো বিষয়তে উন্নতি কবিব নোৱাবে।

এক ভাষা ভাষী একে সভ্যতাব মানুহ একে প্রদেশত থাকিলে তাত সহযোগীতাব অভাব নহয় আৰু ফলত ক্রমে সি উন্নত হয়। কিন্তু যত তেনে নহয় তাত পবস্পবব ভিতবত বেয়া বকমব অবিয়া অবিব ভাব সোমাই উন্নতিব বাটত ববং বাধাহে ওপজে। শ্রীহট্ট বাদ পবিলে আমাব প্রদেশ আয়তনত সক হলেও উন্নতি কবিবলৈ যথেষ্ট সুযোগ উপস্থিত হব। এতিয়া ববং আমি একে প্রদেশবে এটি অংশব পবা অন্যায় বকমব বোজা আৰু হেচাহে সহিব লগাত পবিছে। সেই টোব পবা মুক্ত হলে আমাব মূব দাঙ্গিবলৈ সুবিধা হব।

সামবণি

সামবণিত বন্ধু সকল সাহিত্যব প্রভাব সম্বন্ধে আপোনালোকব দৃষ্টি আকর্ষণ কবো।

মন্ত্র শক্তিব কথা আপোনালোকে জানে। এই মন্ত্রব প্রভাবতে দেৱতা সকলকো বশ কবিব পাবি। আজিব দিনত এই বিষয়ে বিশ্বাস কমিলেও এইটো নিশ্চয় যে কথাতে আমি থং থাওঁ আৰু কথাতে আমি বং পাওঁ। এই মন্ত্রও এক প্রকাব সাহিত্য। আপোনাক গালি পাবিলে বেয়া পায় আৰু প্রশংসা কবিলে ভাল পায়। সাহিত্যই জাতিব জীৱন গঢ়ি নতুন পথব সন্ধান দিয়ে।

জ্ঞানী সকলে জাতিক এই সাহিত্যব সহায়বেহে যোগ্য পথ নির্দ্দেশ কবি দিয়ে। এই মহাশক্তি সম্পন্ন সাহিত্য প্রভাবত আপুনি প্রভাবান্বিত হওক।

তাব ফলত আপুনি সকলো বিভবব অধিকাবী হক বাদেৱীব চবণত এই প্রার্থনাবে কোটী কোটী প্রণতি জনাওঁ।

ওঁ শান্তি—

———

বৈজ্ঞানিক জগৎ

ছুটি বিজ্ঞানব কথা

বিষেবে বিষ নিবাবণ—সাপে কামোবাব কোনো বৈজ্ঞানিক কার্য্যকবী চিকিৎসা এতিয়ালৈকে ওলোৱা নাই। কিন্তু বর্ত্তমানে বিষেবে বিষ নিবাবণ কবিব পবা প্রণালী মতে সাপব বিষেবেই তৈয়াবী এবিধ বেজী (Serum injection) উলিয়াইছে। সেই বেজীবে দুই এজন সাপে কামোবা বোগীয়ে আবোগ্যও লাভ কবিছে।



পানী গোট মাবিলে যে তাপ ওলায় সাপব বিষ উলিয়াই বেজী তৈয়াব কবিছে তাকে দেখুৱা হৈছে।

—০—

জমিবলৈ ধবা পানীব তাপ—শীত প্রধান দেশত বস্তু-বাহানী শাক-শব্জী আৰু মদ আদি বখা ঠাইত (Cellars) সাধাবণতে এটা পাত্রত কিছুমান ঠাণ্ডা পানী বখাব নিয়ম, কাবণ সাধাবণ বিশ্বাস যে সেই ঠাইব আন বস্তুবোব তেনেকৈ পানী বাখিলে জমি নাযায়। আৰু আচলতে সেয়ে হয়। পানী গোট মাবিলেও আন বস্তুবোব গোট নামাবে। ইয়াব বৈজ্ঞানিক কাবণ এইটোবে যে পানী গোট মাবিলে তাব পবা তাপ ওলায় আৰু এই তাপ ঠিক ববফ এডোখব গলিব পবা তাপব সমান আৰু সেইবাবেই আন বস্তুবোবত ববফ জমিব নোৱাবে।

ধুমুহা নিবাবক যন্ত্র

বিখ্যাত বৈমানিক প্রফেস্তাব এডবার্ডে অলপতে এটি অভিনব যন্ত্র আবিষ্কাব কবি উলিয়াইছে। তাবে ধুমুহা নিবাবণ কবিব পাবি। তেনেই নিবাবণ কবিব



ধুমুহা নিবাবক যন্ত্র

নোৱাবিলেও অতি প্রচণ্ড ধুমুহাব বেগ কমাই আনিব পাবি।

কুঁরলী গুছোরা যন্ত্র

আমেবিকাব বিখ্যাত বৈজ্ঞানিক মিঃ হ্যাবি হটনে এটি নতুন ধবণব যন্ত্র উলিয়াইছে। এই যন্ত্রব সহায়ত



কুবলী নাশ কবিব পবা তেওঁব আবিষ্কৃত যন্ত্রেবে মিঃ হ্যাবি হটনে লণ্ডনত পবীক্ষা চলাইছে

যি কোনো বকমব ডাঠ কুঁবলীয়ে নহক আঁতবাব পবা যাব বুলি তেওঁ আশা কবে। তেথেতে ইয়াবে বর্ত্তমানে লণ্ডনত পবীক্ষা কবি চাব পবিছে।

সবাতো সক ব্রডকাষ্ট ষ্টেশ্যন

ফিলা ডেলফিয়াব 'জন আব বইল নামে বৈজ্ঞানিকে তাত মিটি ব্রডকাষ্ট ষ্টেশ্যন সাজিছে সি পৃথিবীত সবাতো



সবাতো সক ব্রডকাষ্ট ষ্টেশ্যন

সক। তাব কার্য্যক্ষম দূবত্ব (effetive range) মুঠে ২০০ ফুট।

সময় অতীত

(আগব সংখ্যাব পাছব পবা)

গল্প— —শ্রীযুত বিষ্ণুচবণ ববা বি-এল

৬

সম্রাট চাজাহান দববাব হলব পবা তাজমহলব নির্ম্মাণ কার্য্য চাবলৈ গৈ সেই দিনা বহুত বাতিহে অসুস্থ শবীবেবে বাজপ্রাসাদলৈ উলটিল। মাজনিশা তেওঁব অৱস্থা বব বেয়াকৈ আছিল। হাকীমসকলে তেওঁক বিশেষ যত্নবে চিকিৎসা আৰু শুশ্রূষা কবিবলৈ ধবিলে।

জেহানেবাই সম্রাটব নবিয়া টান হোৱা শুনিও অন্তবব বেথাত তেওব ওচবলৈ যাবলৈ মন নকবিলে। দুদিনব আগলৈকে যি সম্রাট তেওঁব প্রধান উৎকণ্ঠাব বস্তু আছিল আজি সেই সম্রাটব লগত তেওঁব কোনো সম্বন্ধ নোহোৱাব নিচিনা হৈ পবিল। সম্রাটে মাহুহ পঠাই দি তেওঁক মতালে কিন্তু তেতিয়াও তেওঁ অনিচ্ছাবেহে সম্রাটব ওচবলৈ গৈছিল।

জেহানেবাই গৈ দেখিলে সম্রাটে বিছনাব ওপবত অস্থিব হৈ ইলুটি সিলুটিকৈ বাগবি আছে। তেওঁব দাৰুণ ক্লেশ দেখি জেহানেবাব চকুব পানী বৈ গল কিন্তু তেওঁ অহস্কাবব সৈতে মচি পেলালে। সম্রাটব প্রতি ওপজা মনোকষ্টক ঘৃণা দশাবব বাবেই দববাব হলব কাচিমব মৃত্যু যন্ত্রণা পাইই তেওঁব কল্পনাটো আহিল। সম্রাট কিন্তু সেই বিষয়ে একো ভবা নাছিল। তেওব মন সেই সময়ত অন্য দুঃচিন্তাবে পবিপূর্ণ। তেওঁ ভাবিছিল তেওঁব মৃত্যু উপস্থিত কিন্তু সিংহাসন দাবাব নিমিত্তে নিবাপদ কবি যাব নোৱাবিলে। তেওঁ জীয়েকক সুধিলে "দাবা এতিয়া কত আছে"। জেহানেবাই সেই বিষয়ে একো নেজানে বুলি ধীব ভাবে উত্তব দিলে।

এই উত্তব পাই সম্রাটে যেন জীয়েকব অন্তবত নিভৃত কোণলৈকে পচিব খুজিছিল এনে ভাবে জেহানেবাব চকুলৈ তীক্ষ্ণ কটাক্ষ পেলালে। এইটো বুজিবলৈ বাকী নাছিল যে তেওঁ জীয়েকব ওপবত অত্যন্তৰূপে অসন্তুষ্ট হৈছিল। জেহানেবাই উত্তেজনাশূন্য হৈ নিৰ্ব্বোধ মূর্ত্তিব দবে সেই সুক্ষ্ম পবীক্ষাব বাবে প্রস্তুত হৈ থিয় দি থাকিল। ভালেখিনি পব সুক্ষ্ম পবিদর্শনব পিছত সম্রাটে বিদ্রুপাবে সৈতে জেহানেবাক কলে "তুমি জনা উচিত"। ইয়াব পিছে ভালেমান সময় উভয়ে মৌন হৈ বল। জেহানেবাব মনত যে এটা ভয়ঙ্কব বিকাব ঘটিছিল তাব আকৌ সামান্য চিহ্নও তেওঁ মুখাবয়বত প্রকাশ নকবিলে। অলপ সময়ব পিছত সম্রাটে জীয়েকক কলে "তোমাব লগত মোব আক কোনো কথা নাই। এতিয়া তুমি যাব পাবা"।

জেহানেবাইয়ো সম্রাটে প্রকাশ কবা বিদ্রুপাক ঘৃণা দর্শাই তেতিয়াই ওলাই আহিল। সম্রাটে পিছত উচুপি উচুপি কান্দি কবলৈ ধবিলে "প্রভু, পৃথিবীব সর্ব্বশ্রেষ্ঠ সম্রাট আজি চেনেহব তিথাবী, এইয়ে মোব প্রতি তোমাব নিৰ্ব্বন্ধ"। তেওঁ এটা দীঘল হুমুনিয়াহ পেলাই নিজকে ঈশ্ববব চবণত সমর্পণ কবি চকু মুদিলে।

কিন্তু সেই অৱস্থাত তেওঁ বহুত পব থাকি শান্তি নেপাই দ্বিতীয়ত ভালেখিনি সময় অপেক্ষা কবি থকা মন্ত্রীক মাতি আনিবলৈ পঠালে। উজীব যেতিয়া সমুখত উপস্থিত হলহি তেতিয়া সম্রাটে সুধিলে "তুমি দাবাব পবা কিবা খবব পাইছানে"? উজীবে যথাসম্ভব নম্রতাবে কলে "বিশেষ বন্দোবস্ত কবি এজন উপযুক্ত দূতক সম্রাটব বেমাবব খবব বাজকৌৱবক দিবলৈ পঠোৱা হৈছে।" সম্রাটে উজীবক কলে "এই কথা তুমি মোক বহুত আগেয়ে জনোৱা উচিত আছিল। তোমালোকে কেবল মোক যন্ত্রণা দিবলৈহে ভালপোৱা।" এই কথা কৈ সম্রাটে

মুখ ফিরালে কিন্তু অলপ পর বৈ আকৌ সুধিলে "দাবা কেতিয়া আহিব"। উজীবে কলে "ভৃত্যই এই কথার উত্তর দিয়া টান আছে। তেওঁ কত আছে আক দূতে ক'ত লগ পায় এইটো কোনেও নেজানে"। সম্রাটে বিস্তৃষ্ট হৈ কলে "ইমান দীঘলাই নকৈ চমুকৈ কব নোরাবানে।" উজীবে কবলৈ ধবিলে "যদি—"। সম্রাটে যদি শব্দ শুনি আক কবলৈ নিদি কলে "তোমাব যদিটো এবা। লাগিলে মিছা কথাকে কোৱা কিন্তু চমুকৈ কোৱা"। উজীবে "কালিলৈ আবেলি পাবহি লাগে" বুলি কৈ আঁতব হৈ ব'ল। সম্রাটে উৎকণ্ঠিত হৈ কলে "সর্ব্বনাশ, তুমি এতিয়া বৈঠকখানাত বহাগৈ"। উজীব ভয়ঙ্কব খণ্ডেবে ওলাই গল। তেওঁ জীৱনত কেতিয়াও সম্রাটব হাতত ইমান অসম্মানিত হোৱা নাছিল।

অলপ সময়ব পিছতে সম্রাটে আকৌ উজীবক মতাই আনি কলে "দাবা কলৈ গৈছে তুমি এতিয়াও এই কথা মোক কোৱা নাই"। উজীবে সন্দেহব সৈতে চাবিওফালে চকু ফুবাই চালে। সম্রাটব ওচবত থকা মানুহব ভিতবতে দুজনী দাসীয়ো আছিল। বিশেষকৈ সেই দুজনীব আগত গোপনীয় কথা কবলৈ তেওঁ সঙ্কোচ কবিলে। কিন্তু সম্রাটে সেই কথা জানিবলৈ অস্থিব হোৱাত তেওঁগোপনীয় সংবাদ প্রকাশ কবিবলৈ বাধ্য হল। উজীবে কবলৈ ধবিলে "মুবাদ আক আউবঙ্গজিবে বিদ্রোহাচবণ কবি এজন বাজপুত অধিনায়কব সহায় লৈ আজি কালিতে অস্ত্র ধাবণ কবিবলৈ সাজু হোৱাব খবব পাই তেওঁ সেই বাজপুত সেনাপতিব বাজ্য আকস্মিকভাবে আক্রমণ কবিবলৈ সৈন্যবল লৈ যাত্রা কবিছে। এই বাজপুত সেনাপতিক বিপর্য্যস্ত কবিব পাবিলেই মুবাদ আক আবঙ্গজিব অগ্রসব হব নোৱাবিব।"

এই সংবাদ পাই সম্রাট অতি গম্ভীব হৈ পবিল। বাহিবত উৎ থকা এজন হাকিমক মতাই আনালে। তেওঁ আহি উপস্থিত হোৱাত সম্রাটে কলে "মোব নাড়ী পবীক্ষা কবি কোৱা মই আক কিমান সময় জীয়াই থাকিম হাকিমে। বহুত সময় সম্রাটক পবীক্ষা কবি কলে "এতিয়া কোনো অস্বিষ্ট লক্ষণ দেখা নেযায়।" সম্রাট সেই উত্তবত সন্তুষ্ট নহৈ আকৌ কলে "তুমি ঠিক কবি কোৱা মই কেইদিন জীয়াই থাকিম" হাকিমে কলে "এক সপ্তাহলৈকে ভালে থাকিব বুলি মই দাগীত্ব লৈছোঁ।"

হাকিমব পবা এই উত্তব পাই সম্রাটে উজীবক কলে "থোবা শালব পবা এটা অতি বেগী থোবা আক বাজাব এজন নিপুন অশ্বাবোহী বাচি লৈ অতি শীঘ্রে দাবালৈ খবব পঠোৱা যে তেওঁব অভিপ্রায় সম্পূর্ণ সিদ্ধি নকবাকৈ মোক চাবলৈ আহিব নেলাগে"।

সম্রাটব আদেশ অনুসবি উজীব ওলাই আহিল। কোনেও গমধবি নোৱাবাকৈ তেওঁব পাছে পাছে এজনী দাসীও ওলাই আহিল।

৭

মাজনিশা পাব হৈ এতিয়া প্রায় শেহ নিশাত পবিছেহি। বংমহল নিস্তব্ধতাব গহ্বৰত পোত খৈ আছে। নিদ্রাহীন দুই এজনী তিবোতাব উস আস শব্দব বাহিবে চাবিওফালে নীবব। কিন্তু বৌচুনে বব আগ্রহবে কেইজনীমান দাসীব সৈতে এতিয়াও ফুচফুচাই কথা পাতি আছে। কেনো কোনো সময়ত টেবিলব ওপবত থকা মেজত চকু দিছে। আকৌ মুব ডাঙ্গি ওপবলৈ চাই গভীব চিন্তা কবিছে। তেওঁক দেখিলেই অনুমান হয় তেওঁ কিবা জঘন্য কাবণাবত ব্যস্ত আছে। আকৌ এবাব মেগত ভালকৈ চকুদি মুব দাঙ্গি কলে "দাবা সেই বাটেদি ঘোৱাব কাবণ কি মই আগশুবি একো বুজিব পবা নাই"।

সেই মুহূর্ত্তত তেওঁব এজনী দাসীয়ে এখন চিঠি আনি তেওঁব হাতত দিলেহি। সেই খন সাঙ্কেতিক আখবেবে লিখা আউবঙ্গজিবব চিঠি। তাত লেখিছে "তেওঁ অহা জুমাবাবে মুবাদব লগত যোগ হৈ দাবাব বিৰুদ্ধে দিল্লীলৈ যাত্রা কবি সিংহাসন দখল কবিব আক এজন বাজপুত সেনাপতিয়ে তেওঁক যথেষ্ট সহায় কবিব বুলি প্রতিশ্রুতি দিছে।" সেই দিনা মঙ্গলবাব বাতি। আক ছদিনব পিছতেই আউবঙ্গজিব মুবাদব লগত মিলিত হব। তেনে হলে দাবা ইমান আগেয়ে যাত্রা কবাব অর্থ কি? এই বিষাক চিন্তা কবি থাকোতেই এজনী দাসী ফোঁপাই আহি তেওঁব মহলত সোমালহি।

বৌচুনে বব ব্যগ্রতাবে সুধিলে—"বুল, খবব কি, সম্রাট কেনে আছে?"

বুল—"সম্রাটব কিছু ভাল কিন্তু নই অতি গোপনীয় খবব এটা আনিছো"।

বুলব কথা শুনিবলৈ এটাইকেইজনীয়েই থুপ খালে। উজীব আক সম্রাটব ভিতবত হোৱা গোপনীয় কথা বুলে সমস্তই কলে। বৌচুনে কপাল কোঁচাই খন্তেক নীববে থাকি আকৌ মেখব ওপবত সূক্ষ্ম দৃষ্টি দিলে। তেওঁ মুব ডাঙ্গি কলে "দাবা আক সম্রাট উভয়ে সমান চইতান। তেওঁলোকক মই এতিয়াই হতবুদ্ধি কবিম।"

বৌচুন তেতিয়াই কামত লাগি গল। কাগজ আনি তেওঁ চমুকৈ তিনি খন চিঠি লেখিলে। এখনত নিজব চৰী মোহব দিলে। বাকী দুখনত জেহানেবা আক সম্রাটব চৰী জাল কবি তেওঁলোকব নামব গোপনীয় দুবাবকৈ মোহব দিলে।

এই কাম শেষ কবিয়েই জেলুকাক সুধিলে "তুমি ঠিক জানানে যে জেহানেবা আক দাবা উভয়ে পবস্পবব ওচবত সন্ধিবদ্ধ।" জেলুকাই কলে, "চাহজাদী, চাহজাদাই দি চিঠি যাত্রাব পূর্ব্বে বেগমচাহেবালৈ লেখি থৈ গৈছিল সেই চিঠি চুব কবি আনি পূর্ব্বেই আপোনাক দিছোঁ। তাব পবা স্পষ্টই বুজা যায় তেওঁলোক উভয়বে ভিতবত কিবা এটা সন্ধি হৈছে। তাব উপবিও জেহানেবাই দিয়া কবাবলৈ ইচ্ছা কবাত চাহজাদাই সেই কামত সহায় থাকিব বুলি প্রতিশ্রুতি দিছে বুলিও শুনিছোঁ।"

ইয়াব পিছতে বৌচুনে জেলুকাব হাতত যথেষ্ট টকা দি চিঠি কেখন কৌশল পূর্ব্বক পহুচাই দিবলৈ পঠাই দিলে। জেহানেবা আক সম্রাটব নামত জাল কবা চিঠি দাবালৈ আক তেওঁব নিজব চৰী মোহবব চিঠি আউবঙ্গজিবলৈ যাব।

বৌচুনব এই দুবভিসন্ধিব কার্য্য হাতত লৈ জেলুকাই যাত্রা কবিলে। দুৰবীব চকুলৈ মুগুকব কটাক্ষ

পেলাই তাব হাতত এমুঠি টকা গুজি দি গেইট পাব হল। আউবঙ্গজিবব দূত গেইটব বাহিবে নিভৃত ঠাইত লুকাই আছিল। ওয়াৰ্ডবব পবা তাই এইটো ভালকৈয়ে জানি ললে যে ইতিপূর্ব্বে কোনো অশ্বাবোহী বাজদূত তেতিয়ালৈকে দুর্গব পবা বাহিব ওলাই যোৱা নাই। আউবঙ্গজিবব দূতক চিঠি খন দি তাক বিদায় দি তাই আন্ধাবত লুকাই থাকিল।

ইয়াব খন্তেক পিছতহে ঘোবাব কদমগতিত এজন অশ্বাবোহী দুর্গব ভিতবব পবা গেইটলৈ অহা দেখিলে। জেলুকাব বুজিবলৈ বাকী নেথাকিল যে উভয়েই সম্রাটব আদেশ মতে উজীবে বাজাব ওচবলৈ পঠিওৱা বাজদূত। এই জনে গেইট পাব হোৱা মাত্রেই জেলুকাই আগবাঢ়ি গৈ ঘোবাব লেগামত ধবিলে। অশ্বাবোহী জনে তৎক্ষণাত পাপব পবা অস্ত্র উলিয়াই ওপবলৈ তুলিলে। জেলুকাই নিজব জীৱন সঙ্কটাপন্ন বুজি ভয়ত চিঞবি উঠিল। তেওঁ তিবোতাব চিঞব শুনি অস্ত্র সামবি থৈ সুধিলে "তুমি কোন, তোমাক কি লাগে?"

জেলুকা—"আপুনি ইচা খাঁ নে কি?

ইচা খাঁ—"অ তুমি জেলুকা, ইমান বাতি তুমি ইয়াত কি কবিছা"?

জেলুকা—"অনুগ্রহ কবি আপুনি ঘোড়াব পবা নামি আহক। কব লগীয়া কথা মই বেগতে কম।"

ইচা খাঁ—"জেলুকা মোক ক্ষমা কবিবা, দেবি কবিলে মোব শিবচ্ছেদ হব।"

জেলুকা—"আপুনি বিশ্বাস কবিব আপোনাব শিব মই বক্ষা কবিম। মই এতিয়াই চাহজাদীব ওচবব পবা আহিছো।"

ইচা খাঁই তাইব বাবম্বাব অনুবোধ পেলাব নোৱাবি দোধোব মোধোব কবি ঘোড়াব পবা নামিলত তাই তেওঁক গছব ছাঁয়াব এঞ্চাবলৈ টানি নিলে। সেই ঠাইত জেলুকাই প্রণয় ছল কবি কার্য্যসিদ্ধি কবি ফুবা ব্যবসায়ী বেঙ্গাব স্বভাবেবে নানা মৌসনা মিঠা কথা কৈ তেওঁব হাতত থকা চিঠি তাইক দি তাইব হাতত থকা দুখন চিঠি দাবালৈ নিবলৈ প্রস্তাব কবিলে। ইচা খাঁই এই

কাম কৰিবলৈ কোনো মতেই স্বীকাৰ নকৰিলে। ইয়াৰ পিছত জেলুকাই টকাৰ টোপোলা এটা তেওঁৰ হাতত গুজি দিলে কিন্তু ইচা খাঁই এই টোপোলা দলিয়াই পেলাই দি গাবলৈ খুজিলে। এই সময়তে জেলুকাই জাপমাৰি তেওঁৰ গালত চুমা এটা দি ছয়ো হাতে তেওঁক বুকত সুমুৱাই লৈ মৰমৰ থেউকি মাতবে কলে "ইচা খাঁ তুমি মোৱাৰ পূৰ্ব্বে মোক বধ কৰি যোৱা।"

এই মুহূৰ্ত্তই ৰাজকোঁৱৰ দাৰাৰ অদৃষ্টৰ সন্ধিক্ষণ। দুষ্টমতী জেলুকাই যি বুলি সাজে ই কেতিয়াবাহে অকৃতকার্য্য হয়। বহুত যুদ্ধক্ষেত্ৰত সাহসিকতাবে বণ দি ফুৰা বগুৱা ইচা খাঁক জেলুকাই পক্ষাঘাত ৰোগীৰ দৰে অচল কৰিলে। ইচা খাঁইয়ো অজ্ঞাতসাৰে ছয়োগন বাহুমেলি জেলুকাক সাৱটি ধৰিলে। হিয়া শীত পৰি যোৱা আলিঙ্গনত ইচা খাঁই ভালে যিনি পৰ থাকি প্ৰেমালাপ কৰিবলৈ লাগিল। ইতিমধ্যে জেলুকাই অপৰূপ জ্ঞানৰস্থাত থকা ইচা খাঁৰ জেপত হাত সুমুৱাই টান মাৰি চিঠিখন আনি মুখত ভৰাই পেটলৈ গিলি দিলে। যি ক্ষুদ্ৰ লিপিৰ ওপৰত ৰাজকোঁৱৰ দাৰাৰ ভবিষ্যত আশা ভৰসা নিৰ্ভৰ কৰিছিল সেই বহুমূলীয়া ক্ষুদ্ৰ লিপি এক মুহূৰ্ত্ততে জেলুকাৰ পাকস্থলীত পৰিল।

জেলুকাই এতিয়া তেওঁৰ বাহুৰ পৰা মুকলি হৈ ৰিঙ্গণভাবে হাঁহি মাৰি কলে "খাঁ চাহেব চেলাম, এতিয়া আপুনি যাব পাৰে।" ইচা খাঁই হতভুম্বি হৈ উদ্বিগ্নতাবে তাইৰ হাতত খামুচি ধৰি কলে "তুমিহে মোৰ শিৰচ্ছেদ কৰিলা। এতিয়া টকাৰ টোপোলাটো আৰু চাহজাদী বৌচুনৰ আঙ্গঠিটো মোক দি উদ্ধাৰ কৰা।" জেলুকাই টাকা আৰু সেই আঙ্গঠি দিলে। তাইৰ হাতত থকা চিঠি দুখন দাৰাক দিবলৈ কৈ তাৰ পিছে আউৰঙ্গজিবৰ ওচৰলৈ গৈ আঙ্গঠি দেখালেই তেওঁৰ প্ৰাণ ৰক্ষা পৰিব বুলি কৈ তাই ইচা খাঁক বিদায় দিলে।

এই নীচ জন্মৰ ব্যাপাৰৰ ফলশ্ৰুতিৰূপে দাৰাই সম্ৰাটৰ টান নবিয়াৰ খবৰ পাই ৰাজপুত সেনাপতিৰ দুৰ্গ দখল নকৰি আগ্ৰালৈ উভতি আহিল। সম্ৰাটৰ জাল চিঠিত সম্ৰাটক চাবলৈ মাতি পঠিয়া কথাটৰ তেওঁ বৰ মনযোগ দিয়া নাছিল কিন্তু জেহানেৰাৰ জাল চিঠিত চুজাই সৈন্যবল লৈ ৰাজধানীৰ দুৱাৰমুখ পাইছেহি বুলি লিখা কথাত তেওঁ স্থিৰ থাকিব নোৱাৰি উলটি আহিল। সম্ৰাট সেই সময়ত ৰোগাক্ৰান্ত হৈ ইমান দুৰ্ব্বল হৈছিল যে যি জনেই আহি তেওঁক প্ৰথমেই বন্দি কৰিব পাৰে সিংহাসন তেওঁৰেই। এই অশান্তিজনক খবৰ পাই দাৰাই সৈন্যবাহিনী মুন্না নগৰত এৰি ৰাজপ্ৰাসাদলৈ আহিল।

তেওঁ ৰাজধানী পোৱাৰ পিছ দিনাই সমস্ত চক্ৰান্ত বুজি উঠিল। কিন্তু কেদিন মানৰ নিমিত্তে তেওঁ পুনৰাই যাত্ৰা কৰিব নোৱাৰিলে। ইতিমধ্যে বৌচুনৰ ইঙ্গিতমতে আবঙ্গজিব আৰু মুৰাদ উভয়ে মিলি ৰাজপুত সেনাপতিৰ দুৰ্গ ৰক্ষা কৰিলেহি। দাৰাই সৈন্যসহ এজন সেনাপতি তেওঁলোকৰ বিৰুদ্ধে পঠাই আৰু এজন সেনাপতিক ৰাজধানীলৈ আগবাঢ়ি অহা চুজাৰ বিৰুদ্ধে পঠালে। ছফাদে ছদল সৈন্য পঠাই তেওঁ ৰাজধানী এবি যোৱা ভাল বিবেচনা নকৰিলে।

(৮)

যেতিয়া দাৰাই আহি জেহানেৰাক দেখা দিলেহি সেই সময়ত বাইদেউক অতি উদ্বিগ্নচাত আছিল। ক্ষমতাৰ বাবে বহুকালৰ প্ৰত্যাশিত যুদ্ধ এতিয়া উপস্থিত। এই বিষয় লৈ দাৰাই তেওঁৰ লগত কথা আৰম্ভ কৰিলে। জেহানেৰাৰ মন কিন্তু সেই সময়ত অন্য চিন্তাৰ দ্বাৰা উৎপীড়িত। দাৰাক দেখি তেওঁৰ চকুৰ পানী সৰসৰ কৰে বৰলৈ ধৰিলে কিন্তু তেওঁ প্ৰবল আত্মসংযম—ষ্টোইৰ বিপদ কালত তেওঁক কেতিয়াও এবা দিয়া নাছিল—সেয়ে তেতিয়াই তেওঁক স্বাভাৱিক অৱস্থালৈ ঘুৰাই আনিলে।

দাৰাই কলে—"জেহানেৰা, মোৰ ওপৰত বিপক্ষদলৰ কোনোবাই যি নীচ চাতুৰি খেলিছে সেইটো অৱশ্যে তুমি শুনিছা। সেইখন তোমাৰ চিঠি নহয় বুলি উজীৰে মোক স্পষ্টই কৈছে।"

জেহানেৰা—"সেই চিঠি কেতিয়াও মোৰ নহয়।"

দাৰা—"ভাবিচোৱা, জুৱাচোৰ হৈ খাঁই এই চক্ৰান্ত

খেলিবলৈ কেনেকৈ সাহ কৰিলে। মই নিঃসন্দেহে কব পাৰো ইচা খাঁ ৰাজপ্ৰাসাদত নামাজীৰ কৰ্ম্মময় কিন্তু যি বিশ্বাসঘাতকতা সি মোৰ ওপৰত খেলিলে সেইটো কেতিয়াও তাৰ মস্তিষ্কৰ পৰা ওলোৱা নাই। তাৰ সৈতে ইয়াতেই আৰু বুদ্ধিমান মানুহ লিপ্ত আছে। যদি ৰাজপ্ৰাসাদৰ পৰা বাহিৰ কৰি খেদোৱা নহয় ইইতে আৰু সাঙ্ঘাতিক চক্ৰান্ত হাতত লোৱাৰ সম্ভব।"

জেহানেৰা—"আছে আৰু আৰু মানুহ লিপ্ত আছে কিন্তু এটাইবিলাকক খেদোৱাৰ উপায় নাই।"

দাৰা—"সেইটো টান বুলি মনো বুজিছো কিন্তু কিছুমানক আদর্শৰূপে শাস্তি দিলেই বাকী বিলাক নিজেই ভাগিব। এতিয়া আমি অনুসন্ধান কৰি জানিব লাগিব কোনে সেই জাল চিঠি লেখিছিল আৰু কোনে পঠাইছিল। গোপনীয় অনুসন্ধানৰ পৰা মই জানিবো পাৰিছো ইচা খাঁ গেইট পাৰ হৈ যোৱাৰ পূৰ্ব্বেই এজনী তিবোতা বংমহলৰ পৰা গেইটৰ বাহিৰ ওলাই গৈছিল। ইচা খাঁ মোৱাৰ পিছত তাই আকৌ দুৰ্গৰ ভিতৰলৈ আহিলে। তাই নিশ্চয় তোমাৰ নামৰ জাল নিদর্শন পত্ৰ গেইটত দেখাই অহা যোৱা কৰিছিল। এই বিষয়ে তুমিয়ো গোপনে অনুসন্ধান কৰিবা।"

জেহানেৰা—"দাৰা, মই নিঃসন্দেহে কব পাৰো এই চক্ৰান্তৰ গুৰীয়াল আমাৰ বৌচুন।"

দাৰা—"তেনেহলে মই তোমাক মিনতি কৰি কৈছো তেওঁক তুমি তীক্ষ্ণ নজৰত ৰাখিবা। তেওঁৰ সমস্ত দাসী বিলাকক কামৰ পৰা অৱসৰ দি পেৰাই দিয়া। আত্মৰক্ষাৰ নিমিত্তে এইটো নিতান্ত দৰকাৰ হৈছে। বৌচুন মোৰ ভনী হলেও তেওঁ মোৰ জীৱন লৈ খেলা কৰিছে।"

জেহানেৰাই এই বিষয়ে কিছু সময় চিন্তা কৰিলে। বৌচুনৰ দুষ্টবুদ্ধিবিলাকক খেদাই দিবলৈ যদিও আধাখিনি মন মেলিছে কিন্তু তেওঁ এইটোয়ো মনত চিন্তা কৰিছে যে বৌচুনৰ অর্থসঙ্গতি আৰু বংমহলত ক্ষমতা একেবাৰেই কম নহয়। যদি তেওঁক নজৰত ৰখা যায় ফন্দিবাজ বৌচুনে অসংখ্য উপায়ে নানা অনিষ্ট কৰিব পাৰে। সেই বাবে তেওঁ তেতিয়াই একো নকৰি এই বিষয়ে আৰু দুদিন ভাবি চাবলৈ খুলে।

দাৰা—"যি জনী দাসী বাতি বংমহলৰ পৰা ওলাই গৈছিল ইতিমধ্যে তাইক দৰিবৰ নিমিত্তে চেষ্টা কৰিবা" বুলি কৈ দাৰা লৰালৰিকৈ ওলাই গল।

ইয়াৰ পিছত জেহানেৰাই এটা দীঘল ছমুনিয়াহ পেলালে। দাৰাৰ লগত যদিও তেওঁৰ দেখা সাক্ষাত হল কিন্তু যি বিষয়ে তেওঁ জানিবলৈ অতি উদ্বিগ্ন হৈ ইমান হেপাহ কৰি আছিল সেই বিষয়ে একো জানিবলৈ নেপালে। দাসীয়ে যদিও সঠিক কৈ কাচিমৰ মৃত্যু হৈছে বুলি জানি আঁহিছে তথাপি সন্দেহৰ এটা দীর্ঘস্থায়ী ছাঁয়া তেওঁৰ মনত ওলমি আছে। এইটো তেওঁ মনৰ পৰা কোনো ৰকমেই আঁতৰাব পৰা নাই। দাৰাই কাৰ্য্যসিদ্ধ কৰিব নোৱাৰিলেনে কি? পাৰিলেই নে নোৱাৰিলে এই বিষয়ে দাৰাৰ বাহিৰে অন্য কোনেও তেওঁক ভালকৈ কব নোৱাৰিব। যদি হে নোৱাৰিলে তেনেহলে কাচিম কি অৱস্থাত মৃত্যু হ'ল আৰু অন্তিমকালত তেওঁৰ বিষয়ে কিবা ভাবিছিল নে নাই আৰু যদিহে ভাবিছিল কেনেকৈ ভাবিছিল একমাত্ৰ দাৰাইহে তেওঁক কব পাৰিব। দুৰ্ভাগ্যাগ্ৰস্ত দাৰাই এই বিষয়ে তেওঁক কবলৈ একেবাৰেই পাহৰিলে।

কিন্তু কিয় তেওঁ দাৰাক সুধিব নোৱাৰিলে, সেই বিষয়ে জানিবলৈকে বা তেওঁ ইচ্ছা কৰে কিয় তাৰ উত্তৰ তেওঁ নিজেই নেজানে। কাচিমক অজস্ৰ অপমান দিবলৈ প্ৰবৰ্ত্তিত কৰা তেওঁৰ সেই দাম্ভিক আৰু উদ্ধত স্বভাব এতিয়া আৰু নাই। ক্ষুদ্ৰ অহঙ্কাৰ আৰু ক্ৰোধৰ বশবৰ্ত্তী হৈ কাচিমক বিয়া কৰাবলৈ যি সংকল্পই তেওঁক নিয়তই উৎপীড়ন কৰিছিল সেইটো এতিয়া লাহে লাহে মাৰ গল। তেওঁৰ অদম্য প্ৰবল প্ৰণয়াগ্নি এতিয়া মৃত্যু ছাঁয়াৰ নীৰব মহত্বত ডুবি গল। তেওঁলৈ থাকিল অপৰাধৰ দেইপুৰি নিয়া অনুভূতি আৰু এখন বিষাদ ভৰা নম্ৰ হিয়া। কিন্তু তেওঁ অনুভৱ কৰিছিল এটি শ্ৰেষ্ঠ জীৱৰ প্ৰতি তেওঁ ঘোৰ অন্যায় কৰিলে। আৰু তেৱেঁই সেই জীৱৰ মৃত্যুৰ কাৰণ। তেওঁৰ নিষ্ঠুৰতাৰ স্মৃতিয়ে তেওঁৰ জীৱন অশান্তিময় কৰি তুলিছে তেওঁৰ নিয়তই মনত পৰিছে কাচিমৰ মহৎ গুণ আৰু

উজ্জ্বল ভবিষ্যত, বাল্যাবস্থাৰ দুয়োৰো মধুৰ মিলন, নানা আমোদ, কাচিমৰ সাহিত্যিক প্ৰশংসা আৰু প্ৰণয় কবিতা তেওঁৰ প্ৰতি প্ৰগাঢ় ভালপোৱা, অপমানজনক প্ৰাণদান আৰু লাঞ্ছিত কাচিমৰ নিৰ্ভীক বদন মণ্ডল: তেওঁ কাচিমক নিজৰ প্ৰাণতকৈও অধিক ভাল পাইছে। কিন্তু হায় সময় অতীত হৈ যোৱাৰ পিছতহে তেওঁ দাৰুণ যন্ত্ৰণাৰ সৈতে নিজৰ অন্তৰ স্পষ্টকৈ বুজিব পাৰিলে।

তথাপিও এই প্ৰবল প্ৰণয়ে তেওঁৰ মুখত সোপা দিলে। জীৱনত কেতিয়াও অনুভৱ নকৰা এটা দমন শক্তিয়ে তেওঁৰ জিভা বন্ধ কৰিলে। ৰমনীৰ অপৰিহাৰ্য্য লজ্জাশীলতা—যিটোৱেই তেওঁলোকৰ মোহিনী শক্তি কিন্তু হায় নতুন প্ৰেমিক প্ৰেমিকাৰ ডাঙ্গৰ বিঘিনি সেয়েই ইয়াৰ কাৰণ নে কি নাইৱা তেওঁৰ প্ৰশ্নৰ প্ৰত্যাশিত মাৰাত্মক উত্তৰৰ ভয়েইহে ইয়াৰ কাৰণ? যদিও তেওঁ নেজানিছল বোধ হয় এই উভয়েই তেওঁৰ প্ৰতিবন্ধ হৈ উঠিল। এৰাবৰ তেওঁ যত্ন কৰিছিল। কিন্তু প্ৰত্যেকবাৰেই প্ৰত্যেক শব্দই তেওঁৰ কণ্ঠত লাগি ধৰিছিল। যি কথাকেই তেওঁ জানিবলৈ দিনে ৰাতিয়ে ইমান হাবিয়াস কৰি অশান্তিত দিন কটাইছিল সেয়ে অজানিত হৈ থাকিল।

কিন্তু তেওঁ ইচ্ছা প্ৰবৃত্তিক সংযত কৰিবলৈ শিক্ষা কৰিছে। তেওঁৰ হিয়া নৈৰাশ্যেৰে পৰিপূৰ্ণ। যি ক্লেশ তেওঁ ইমান দিনে অন্তৰত ভোগ কৰি আহিছে সেয়ে তেওঁক নীৰৱে যন্ত্ৰণা ভোগ কৰিবলৈ শিক্ষা দিছে। তেওঁ এতিয়া পূৰ্ব্বৰ অহঙ্কাৰী দাম্ভিক চিন্তাশূন্য অধীৰ আৰু পৰাজয় ধাৰণা কৰিবলৈ অক্ষম ৰাজকুঁৱৰী নহয়। অহঙ্কাৰী চিন্তাশূন্য স্বেচ্ছাচাৰী জেহানেৰা এতিয়া মোৰ মৰমৰ পাঠক পাঠিকা সকলৰ দৰেই সন্দেহ আৰু ভয়ৰে পৰিপূৰ্ণ প্ৰণয় পীড়িতা কুমাৰী।

(৯)

দাৰাৰ সৈতে জেহানেৰাৰ আৰু সাক্ষাতে নহল। ইতি মধ্যে বহুত মহৎ ঘটনা ঘটি গৈছে। দাৰা যুদ্ধত পৰাজিত হৈ নিৰ্ব্বিঘ্নতাৰ বাবে পলাই গৈ লাহোৰত আছে। আউৰঙ্গজিৱে ৰাজধানী দখল কৰি নিজকে সম্ৰাট ঘোষণা কৰিছে। মুৰাদক তেওঁ হত্যাকৰি সম্ৰাট চাজাহানক কোঠা এটাত কাৰাবদ্ধ কৰিলে। যদিও সম্ৰাটৰ সুখৰ বাবে তেওঁ সুবন্দোবস্ত কৰিছিল তথাপি সম্ৰাট এতিয়া ক্ষমতা শূন্য কাৰাবদ্ধ বন্দি। জেহানেৰাই ইমান কাল ভোগ কৰি অহা এটাইবিলাক ক্ষমতা তেওঁ কাঢ়ি নিলে।

সম্ৰাট চাজাহানৰ নিষ্ঠুৰ কাৰ্য্যই তেওঁৰ আৰু জেহানেৰাৰ মাজত যি এখন ডাঙ্গৰ বেৰ উপস্থিত কৰিছিল উভয়ৰে এই সমতুল্য দুৰ্ভাগ্যই সেই বেৰ উঘালি পেলালে। পিতৃদেৱতাক নিষ্ঠুৰ ভাবে বন্দি কৰা কথা শুনা মাত্ৰেই জেহানেৰাৰ হৃদয় বিদৰি গল, চকুলোৱে তেওঁৰ দৃষ্টি বন্ধ কৰিলে। তেওঁ বাউলী হৈ বন্দিশালৈ লৰি গৈ পিতৃক সাৱটমাৰি কান্দিবলৈ ধৰিলে। ফেকুৰি ফেকুৰি তেওঁ কলে "প্ৰভু, তুমি এই নীচ জঘন্য কাৰ্য্যৰ সাক্ষী হবা। তোমাৰ ন্যায় বিচাৰত এই ঘৃণনীয় কলঙ্ক নিশ্চয় দণ্ডনীয় নোহোৱাকৈ নাযায়।'

শোকাতুৰ বন্দি সম্ৰাটে অস্পষ্টভাবে জেহানেৰাক কলে "মনে মনে থাকা, ঈশ্বৰৰ ন্যায়বিচাৰৰ ফলস্বৰূপে আজি এই অৱস্থা। মই যি শিক্ষা দিছিলোঁ পুত্ৰই আজি সেই শিক্ষাৰ জলন্ত প্ৰমাণ দিছে। ময়ো এদিন বিদ্ৰোহী হৈ পিতৃৰ বিৰুদ্ধে থিয় হৈছিলো।" জেহানেৰাই যদিও এই তৰ্কৰ ন্যায়পৰতা অনুভৱ কৰিছিল কিন্তু তেওঁৰ বেজাৰৰে পৰিপূৰ্ণ অন্তৰৰ উচ্চ আদালতত তেতিয়া এই তৰ্কৰ বাবে ঠাই নাছিল। জেহানেৰাই খঙেৰে ওঠ কামুৰি কলে। 'আজিৰ এই দুৰৱস্থা ন্যায় বিচাৰৰ ফল বুলি ভাবেনে। আৰঙ্গজিৱে বোকা সানি অপবিত্ৰ কৰা হাত ঈশ্বৰে ন্যায় বিচাৰৰ নিমিত্ত মাত্ৰ কৰিছে বুলি ভাবিলে ঈশ্বৰক অৱজ্ঞা কৰা হব।"

বৃদ্ধ সম্ৰাটৰ বদন মণ্ডলত এতিয়া অপাৰ্থিৱ প্ৰশান্ততাই দেখা দিলেহি। তেওঁ ধীৰে ধীৰে জীয়েকক কলে "এতিয়া এই দুৰৱস্থাৰ বাবে আপত্তি নকৰিবা। বৰ্ত্তমান অৱস্থাকেই আমাৰ পক্ষে অতি ভাল বুলি ভাবিবলৈ

শিক্ষা কৰা। তুমি যিমান বেয়া বুলি অনুমান কৰিছা ই তিমান বেয়া নহয়। তোমাক যে মোৰ অন্তৰত আকৌ ঘূৰাই পালো এয়ে মোৰ স্বৰ্গ সুখ।' এই কথা কৈয়ে সম্ৰাটে কান্দিবলৈ ধৰিলে।

জেহানেৰাই শোকে খুন্দামাৰি ধৰাত একো উত্তৰ দিব নোৱাৰি ফেকুৰিবলৈ ধৰিলে। সম্ৰাটেও একো নকৈ মৌন হৈ ৰল। পৰস্পৰ হিয়া বিনিময়ৰ পিছত এই পবিত্ৰ নিস্তব্ধতাত পিতৃ আৰু সন্তানৰ সম্পূৰ্ণ পূৰ্ণ মিলন হৈ গল। পৰস্পৰৰ হিয়াত সঞ্চিত অতীত অন্যায়ৰ ছাপ অপূৰ্ব্ব চেনেহৰ সোঁতত উটি গল।

(১০)

জেহানেৰাৰ যে ঘোৰ পৰিবৰ্ত্তন ঘটিছে এই বিষয়ে কোনেও ভুল ধাৰণা কৰিব নোৱাৰে। এতিয়া তেওঁৰ পূৰ্ব্বৰ অহঙ্কাৰ নাই আৰু জাকজমকৰ প্ৰতি ধাউতিও নাই। ঈশ্বৰোপাসনা আৰু পিতৃৰ ক্লেশজনক অধীনতা লঘু কৰিবলৈ যত্ন আৰু উচ্চ ভাবৰ সাহিত্য আলোচনা কৰি দিন নিয়াবলৈ ধৰিলে। আকৌ তেওঁ কবিতা লেখিবলৈ আৰম্ভ কৰিলে। যি কবিতাই কাচিমক মুগ্ধ কৰি টানি আনি অগ্নিত জাহ দিলেহি সেই কবিতা নহয়। এতিয়াৰ কবিতাৰ বিষয় অনন্তসুখৰ আকৰ—ঈশ্বৰ প্ৰেম। পিতৃৰ কৃপাত তেওঁ যথেষ্ট অৰ্থসঙ্গতি লাভ কৰিছিল। সেই এটাইবিলাক তেওঁ এতিয়া দৰিদ্ৰক আৰু ধৰ্ম্ম সম্বন্ধীয় কামত দান দিলে।

চাজাহান এতিয়া অতি বৃদ্ধ হৈছে। তেওঁক দেখিলেই স্পষ্ট বুজা যায় যে এতিয়া তেওঁৰ অন্তিমকাল উপস্থিত। জেহানেৰাও এতিয়া সেই পূৰ্ণযৌবনা গাভৰু নহয়। তেওঁ এতিয়া যৌৱনৰ শেহ ডোখৰত ভৰি দিছেহি। তেওঁৰ মুখত এতিয়া যৌবনসৌন্দৰ্য্যৰ এটা দীৰ্ঘস্থায়ী ছাঁয়া। তেওঁৰ সুকোমল গালৰ গোলাপী ৰঙৰ ঠাই এতিয়া মাৰাত্মক বিবৰ্ণতাই অধিকাৰ কৰিছেহি। তেওঁৰ তললৈ বহি যোৱা চকুত এতিয়া পূৰ্ব্বৰ ইন্দ্ৰিয় পৰতন্ত্ৰ মোহিনী শক্তি নাই। তাৰ পৰিবৰ্ত্তে তেওঁৰ চকুত এতিয়া পৱিত্ৰতা আৰু প্ৰশান্ততাৰ অনিৰ্ব্বচনীয় জেউতি। তেওঁৰ ওপৰত ধৰ্ম্মৰ প্ৰভাৱ বিস্তাৰৰ লগে লগে বয়সেও নিজ প্ৰভাৱৰ ছাপ দিছেহি।

এদিন ৰাতিপুৱা তেওঁ ৰাজপ্ৰাসাদৰ গাতে লাগি থকা সুন্দৰ কাৰুকাৰ্য্যৰ নগিনা মচজিদত চাৰিওফালৰ নিৰৱচ্ছিন্ন নীৰৱতাত ঈশ্বৰোপসনাত নিমগ্ন আছিল। সেই সময়ত তেওঁৰ দাসীয়ে ধাউতিৰে দৌৰি আহি মচজিদৰ ভিতৰত সোমালেহি। তেওঁক গভীৰ উপাসনাত থকা দেখা পাই দাসীয়ে মাত দিবলৈ সাহ নকৰি দূৰৈত থিয় হৈ থাকিল। উপাসনাৰ অন্তত দাসীয়ে আহ্লাদেৰে লৰি গৈ তেওঁৰ হাতত এখন চিঠি গুজি দিলে।

জেহানেৰাই চিঠি খুলিলে, তাৰ মৰ্ম্ম এই :—

"ৰাজকুঁৱৰী

মই জীৱিত আছোঁ। তোমাৰ আদেশমতেই মই আজিয়ো জীৱিত। সেইটো এই মাত্ৰহে বুজিলো। যাৰ মূৰৰ ওপৰত মৃত্যুতকৈয়ো বেছি যন্ত্ৰণাদায়ক ৰাশি ৰাশি অপমান জাপি দিছিলা মই তোমাক দেখা কৰি অহাৰ পিছত সেই দুৰ্ভগীয়াৰ প্ৰাণ বচাবলৈ তোমাৰ অভিপ্ৰায় কি?

এক পলকৰ নিমিত্তে তোমাৰ সাক্ষাত বিচাৰিলোঁ। তোমাৰ সাক্ষাত সন্তোষ পাব পাৰোনে? তোমাক দুটা মান কথা সুধিবলৈ মোৰ অন্তৰ জলি আছে। যদি ইচ্ছা কৰা তেনেহলে তুমি মাজে সময়ে দৰ্শন কৰি থকা ফতেহপুৰচিক্ৰিৰ চেলিমকিষ্টিৰ পবিত্ৰ মন্দিৰত যেই সেই দিনতে দুপৰিয়া মোক লগ পাবা।

কাচিম"

এই চিঠিয়ে জেহানেৰাক অচৈতন্য কৰিলে। শিলৰ মূৰ্ত্তিৰ দৰে ৰৈ গল। তেওঁৰ হাত কপিল, বুকু সঘনে ধুকধুকাবলৈ ধৰিলে। বোধশক্তিয়ে সেই মুহূৰ্ত্তত তেওঁক সম্পূৰ্ণই এৰা দিলে। তেওঁৰ অনিমেষ নয়ন এই ক্ষুদ্ৰ চিঠিৰ ওপৰতে নিৰূপিত হৈ ৰল। তেওঁ যন্ত্ৰচালিতৰদৰে বাৰম্বাৰ সেই চিঠি পঢ়িবলৈ ধৰিলে। সেই মুহূৰ্ত্ততে চিঠিৰ মৰ্ম্ম বুজিবলৈ তেওঁৰ বোধ শক্তি নাছিল।

ভালেখিনি পৰৰ পিছত তেওঁ নিজকে আশ্বস্ত কৰিলে আৰু এতিয়াহে তেওঁৰ ৰক্তাক্ত হিয়াৰ পৰা চেপি উলিওৱা চকুৰ পানীয়ে তেওঁৰ মুখ বুৰাই দিলে।

দাসী আচৰিত হল কিন্তু জেহানেৰাৰ কান্দিবৰ যথেষ্ট কাৰণ আছিল। অতি বৃদ্ধ পিতৃক এতিয়া তেওঁ কেতিয়াও এৰিব নোৱাৰে। তেওঁ নিজক পিতৃৰ শুশ্ৰূষাৰ নিমিত্তে উছৰ্গা কৰিছে। তেওঁ এতিয়া পৰাধীনা। তেওঁক ভালহোৱাৰ বাবেই বৃদ্ধ সম্ৰাটে যি জনৰ প্ৰাণদণ্ড বিধান কৰিছিল সেই জনৰ লগত প্ৰণয়ৰ কথা সম্ৰাটক অন্তিম-মুহূৰ্ত্তত তেওঁ কেতিয়াও জনাব নোৱাৰে.

কাচিমৰ চিঠিয়ে তেওঁৰ সুকুমাৰ হিয়া মুচৰি মুচৰি উৎপীড়ন কৰিবলৈ ধৰিলে। তেওঁ মচজিদৰ পৰা ওলাই নিজৰ কোঠালৈ গৈ দুৱাৰ বন্ধ কৰি নীৰৱে যিমান পাৰে তিমান কান্দিলে! শোক আৰু মনস্তাপক দীৰ্ঘপ্ৰশ্ৰয় দিয়াৰ পিছত মুখত অৰ্পাথিৱ প্ৰশান্ততাৰ সৈতে তেওঁ বিছনাৰ পৰা উঠিল। তেওঁ মন বান্ধিলে।

তেওঁ কাগজ কলম উলিয়াই আনিলে। সৰসৰ কৰে বৈ থকা চকু লো মচি লৈ কঠোৰভাবে প্ৰবল প্ৰণয়ৰ ওপৰত মৃত্যুদণ্ড বিধান কৰি কাচিমলৈ চিঠি লেখিলে।

"কাচিম

তোমাৰ সৈতে মোৰ সাক্ষাত নহব এইটো ঈশ্বৰৰ নিৰ্বন্ধ। আঁহা আমি উভয়ে তেওঁৰ চৰণত আত্মসমৰ্পণ কৰো। প্ৰাৰ্থনা কৰিলো তুমি মোলৈ আৰু চিঠি নেলেখিবা। তোমাৰ চিঠি মই গ্ৰহণ কৰিব নোৱাৰিম।

জেহানেৰা"

এই চিঠি তেতিয়াই দাসীৰ হাতত কাচিমলৈ পঠাই দিলে।

(১১)

জেহানেৰাই লাহে লাহে নিজক আশ্বস্ত কৰি স্বাভাৱিক অৱস্থালৈ আনিলে আৰু নিঃসহায় বৃদ্ধ পিতৃৰ বাবে তেওঁৰ প্ৰবল ইচ্ছাশক্তিক বোধ কৰিবলৈ সক্ষম হৈ আত্মতৃপ্তি অনুভৱ কৰিলে। যদিও তেওঁৰ মুখত প্ৰশান্ততাৰ বাহ্যিক চিন দেখা গৈছিল কিন্তু সুক্ষ্মদ্ৰষ্টাই ধৰিব পাৰিছিল যে কিছু পূৰ্ব্বে তেওঁৰ অন্তৰ আচৰিতভাবে আলোড়িত হৈছিল। এই অৱস্থাত তেওঁ বৃদ্ধ পিতৃৰ ওচৰলৈ আহিল। সেই সময়ত বৃদ্ধ সম্ৰাটে বাৰান্দাত এখন কোমল চোফাত শুই তাজমহললৈ অনিমেষ দৃষ্টিৰে চাই আছিল। বোধ হৈছিল তেওঁ প্ৰিয়তমা ৰাণীৰ কাষতে তাজমহলৰ ছাঁয়াত মহানিদ্ৰাৰ বাবে এখন শীতল বিছনাৰ কথা ভাবিছিল!

সম্ৰাটে নেদেখাকৈ জেহানেৰাই এটোপ চকু লো মচিলে। বেজাৰৰে পৰিপূৰ্ণ হৈ নিজৰ বাকশক্তিৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি কোনো কথা নকৈ তেওঁ সম্ৰাটৰ চিন্তা লঘু কৰিবলৈ সম্ৰাটে ভাল পোৱা এখন কিতাপ পঢ়িবলৈ ধৰিলে। সম্ৰাটে আগৰদৰে মনোযোগ দিব নোৱাৰাই কিতাপৰ ভাব ভাল নেলাগিল। জেহানেৰাইও ৰক্তাক্ত হিয়াৰে পঢ়ি থকাটো ক্লেশজনক ভাবিলে। উভয়ে এতিয়া নানা ৰকমৰ বাহিৰা কথা পাতিবলৈ লাগিল। এই দৰে উভয়ে মনস্তাপৰ সৈতে কেবা ঘণ্টাও কথা পাতি হঠাৎ নীৰৱ হৈ ৰল। কথাৰ ভিতৰত অতীত কাহিনীয়েই বেছি আছিল আৰু অতীত কাহিনীৰ কিছুমান ঘটনাই সম্ৰাটক বৰকৈয়ে বিন্ধিলে।

ভালেখিনি পৰ নীৰৱে থাকি সম্ৰাটে কলে "জেহানেৰা মই ক্ৰমান্বয়ে মৰি আহিছোঁ। সংসাৰ যন্ত্ৰণাৰ হাত সাৰি শান্তি পাবলৈ আৰু বেছি দিন নাই। এই সময়ত এটা চিন্তাই মোক বৰ অশান্তি দিছে। মই তোমাৰ প্ৰতি ঘোৰ অন্যায় কৰিলো"। এই কথাত জেহানেৰাৰ চকু লো টপ টপ কৈ ববলৈ ধৰিলে। চকু লো মচি লৈ তেওঁ কলে "নহয় আপুনি মোক যথেষ্ট কৃপা দেখাইছে। আপোনাৰ পৰা যিমান মৰম পাইছোঁ কোনো পিতৃয়ে সন্তানক তিমান মৰম দিয়া নাই।"

সম্ৰাটে দুখমনে কলে "সেইটো সঁচা আৰু মৰমৰ বাবেই মই মোহান্ধ হিংসুক আৰু স্বাৰ্থপৰ হলোঁ। সৰ্ব্বশ্ৰেষ্ঠ সম্ৰাটৰ ৰাজপ্ৰাসাদৰ কৰ্ত্ৰী কৰি তোমাৰ অন্তৰৰ চেনেহ মই একচেতীয়া কৰিবলৈ বিচাৰিলো। এই কাৰণেই তোমাৰ বিয়াৰ কথা মোৰ কল্পনালৈ আনিব নোৱাৰিলো। তাৰ ফলস্বৰূপে আজি তোমাক সংসাৰ ত্যাগী সন্ন্যাসিনীৰূপে এৰি থৈ যাবলৈ ওলালো তাতোকৈ দুখৰ কথা এইটো যে তোমাক দুশ্চৰিত্ৰ আৰঙ্গজিব আৰু পশুতুল্য ৰৌচুনৰ পৰাধীনা কৰিলো। এই কথা কওঁতে কওঁতেই সম্ৰাটৰ

চকু ঝলঝলিয়া হল। আকৌ গাৰুৰ ওপৰত মূৰ পেলালে। শোকাকুল জেহানেৰাই একো উত্তৰ দিব নোৱাৰিলে।

কিছু সময়ৰ পিছত সম্ৰাটে আকৌ মূৰ দাঙ্গি কলে "আৰু বুজি লবা তোমাক এই দুৰৱস্থাত পেলাবলৈকে তোমাক ভাল পোৱাৰ অপৰাধৰ বাবে এজন উঠি অহা কৰ্ম্মদক্ষ যুবকক বধ কৰিলো। কাচিম আজিও জীবিত থকা হলে মানবজাতিৰ অলঙ্কাৰ স্বৰূপ হৈ জিলিকি থাকিল হেঁতেন। কাচিমৰ হাতত তোমাক অৰ্পণ কৰি মোৰ অন্তিম সময়ত শান্তিৰে চকু মুদিলোহেঁতেন। তেওঁক মোৰ ৰাজ্যৰ এখন অতি ভাল চুভাৰ কৰ্ত্তা কৰি তোমাক ৰাণী কৰি থৈ যাব পাৰিলো হেতেন। মই মূৰ্খই ঘোৰ স্বাৰ্থান্ধ হৈ তোমাৰ কপাল ভাঙ্গিলো।"

(১২)

পিতৃৰ মুখৰ পৰা অন্তিম সময়ত ওলোৱা এই বিষাদভৰা কথাই জেহেনেৰাৰ হিয়া শেলে বিন্ধাদি বিন্ধিলে। তেওঁ চোফাৰ ওপৰত সম্ৰাটৰ গাতে ঢলি পৰিল. কি ভাবিব লাগে বা কি অনুভৱ কৰিলে তেওঁ নেজানিলে। পিতৃক মনস্তাপ দিয়াৰ ভয়তেই তিনি ঘণ্টাৰ পূৰ্ব্বে তেওঁ কাচিমলৈ হিয়া চিৰি নিয়া উত্তৰ লেখি পঠালে। হায়! সময় অতীত হৈ যোৱাৰ পিছতহে সম্ৰাটেও নিজৰ অন্তৰ ভালকৈয়ে বুজিব পাৰিলে! চিঠিখন কোনোৱাই বাটৰ পৰা ওলটাই আনিব পাৰিলে পুৰস্কাৰ স্বৰূপে সেই জনক দিবলৈ জেহানেৰাই কোনো বস্তুৱেই মূল্যবান হব নোৱাৰে বুলি ভাবিলে। তেওঁ নিজেই ফতেহপুৰ চিক্ৰীলৈ গৈ কাচিমক দেখা কৰাই অতি ভাল বুলি ঠাওৰালে।

উত্তেজিত হৈ তেওঁ চোফাৰ পৰা উঠি সম্ৰাটৰ পৰা বিদায় লৈ নিজৰ কোঠালৈ গল। সম্ৰাটে তেওঁক অধৈৰ্য্য লক্ষ্য কৰি দীঘল নিশ্বাস পেলাই আকৌ গাৰুত মূৰ থলে।

ফতেহপুৰ চিক্ৰিলৈ যাত্ৰা কৰিবৰ বাবে বন্দোবস্ত কৰিবলৈ তেওঁ আদেশ দিলে। তেওঁ ভাবিছিল সেই মাৰাত্মক চিঠি কাচিমৰ হাতত পৰাৰ পূৰ্ব্বেই তেওঁক নিজে গৈ দেখা কৰিবলৈ তেতিয়াও সময় আছিল। এক ঘণ্টাৰ ভিতৰতে বন্দোবস্ত হৈ উঠিল। এখন অতি বেগী উটৰ গাড়ী তেওঁৰ নিমিত্তে দুৱাৰ মুখ পালেহি। তেওঁ গাড়ীত উঠিল আৰু উটৰ শক্তি অনুসাৰে অতি বেগে গাড়ী যাবলৈ ধৰিলে। তেওঁ যেতিয়া ফতেহপুৰচিক্ৰি পালেহি তেতিয়া দুপৰ পাৰ হৈ বেলি ভাটি দিছে। পাহাৰৰ ওপৰলৈ গাড়ী উঠি যাব লগীয়া হোৱাত কিছু সময় লাগিল। চেলিমকিষ্টিৰ স্মৃতিমন্দিৰৰ উচ্চ প্ৰাচীৰৰ গেইটত তেওক যোৱা দেখি কিছুমান বয়সীয়াল তিৰোতা তেওঁৰ সম্ভাষণৰ নিমিত্তে গোট খালেহি। এওঁ বিলাকৰ ওচৰত তেওঁ অপৰিচিত নহয়, পূৰ্ব্বেও জেহানেৰাই এই মন্দিৰলৈ অনেকবাৰ আহি দৰ্শনসন্মান দিছিল আৰু ইয়াৰ উন্নতিৰ বাবেও যথেষ্ট অৰ্থ দান কৰিছিল।

উদ্বিগ্নতাৰে গাড়ীৰ পৰা জাপমাৰি ওলাই অস্বাভাৱিক ডাঙ্গৰ সুৰত তেওঁ সুধিলে "ইয়াত কাচিম নামেৰে কোনো মানুহ আছেনে?" তিৰোতাবিলাকে প্ৰশ্নৰ সুৰত আচৰিত হৈ পৰস্পৰৰ মুখলৈ চালে আৰু এজনীয়ে কলে "কিছুদিনৰ আগেয়ে কাশ্মিৰৰ পৰা অহা কাচিম নামৰ মানুহ এজন তাত আছে"। জেহানেৰাই তেতিয়া চিঞৰি কলে "প্ৰভু, তোমাক ধন্যবাদ, তেৱেঁই কাচিম"।

ৰাজকুঁৱৰীয়ে এজন পুৰুষৰ লগত সাক্ষাত কৰিবলৈ আহিছে এই কথাত তিৰোতাবিলাক আৰু আচৰিত হল। তাৰ ভিতৰৰে এজনী ছোৱালীয়ে কাচিমক মাতি আনিবলৈ গল। ইতিমধ্যে ৰাজকুঁৱৰী কৃতজ্ঞতাৰ নৈবেদ্য জনাবলৈ সেই পৱিত্ৰ মন্দিৰৰ ভিতৰলৈ সোমাল। ভিতৰত অলপ সময় থাকি তেওঁ ওলাই অহাৰ পিছতেই সেই ছোৱালী জনীয়ে খবৰ দিলেহি যে কাচিম কিছু সময়ৰ পূৰ্ব্বেই বাহিৰলৈ কিবা কামত ওলাই গৈছে কিন্তু এতিয়াই পাবহি। জেহানেৰা অস্থিৰ হৈ তাতেই ঘূৰিবলৈ লাগিল।

ইয়াৰ অলপ পিছতেই কাচিম আহি পোৱাত তেওঁক আনি ৰাজকুঁৱৰীৰ আগত উপস্থিত কৰিলেহি। সেই মানুহজনক দেখি ৰাজকুঁৱৰী চমক খাই পিছলৈ হুহকি

আছিল। যিজনক দেখিবলৈ নেপাই পলে তেওঁৰ শৰীৰ ক্ষয় হৈ গৈছে এই কাচিম তেওঁ নহয়। কোমল স্বৰত তেওঁ সুধিলে "এই কাচিমৰ বাহিৰে তাত আৰু কাচিম নামে অন্য কোনো নাইনে?" তেওঁ উত্তৰ পালে "হয়, নাই"

জেহানেৱাৰ মুৰ ঘুৰাবলৈ ধৰিলে কিন্তু হঠাৎ তেওঁৰ মনলৈ আহিল কাচিম ছদ্মবেশত মিছা নাম লৈও ইয়াত থাকিব পাৰে। কিন্তু যদি সেয়ে হয় তেওঁ এতিয়া জানিবৰ উপায় কি?

সেই মন্দিৰলৈ ৰাজকুঁৱৰীৰ আগমনৰ খবৰ পাই তাত থকা এটাইবিলাক পুৰুষ আৰু মন্দিৰৰ তত্ত্বাবধায়ক ফকিৰ ৰীত্যনুযায়ী তোলৰ বাহিৰলৈ ওলাই গৈছিল। জেহানেৱাই এই দৰে চিন্তাকৰি থাকোতেই সেই ফকিৰ জনে ৰাজকুঁৱৰীৰ লগত সাক্ষাত কৰিবলৈ অনুমতি বিচাৰি তিৰোতা এগৰাকীক পঠিয়াই দিলে। এজন মানুহে প্ৰায় দুই ঘণ্টা পূৰ্ব্বে ফকিৰক এটা বতৰা দি ওলাই গৈছিল। ফকিৰে কিন্তু সেই কথালৈ ৰবকৈ মন কৰা নাছিল। ৰাজকুঁৱৰীয়ে কাচিম নামৰ মানুহজনৰ ৰবকৈয়ে অনুসন্ধান কৰাত ফকিৰজনৰ সেই কথালৈ মনত পৰিল। ফকিৰে অনুমান পাই ৰাজকুঁৱৰীৰ আগত উপস্থিত হলহি। ৰাজকুঁৱৰীয়ে মুৰ দোঁৱাই সম্মান দেখুৱাৰ পিছত ফকিৰে আশীৰ্ব্বাদ দি সুধিলে "আপুনি কাচিমক লগ পাব খুজিছেনে কি?" জেহানেৱাই হয় হয় বুলি কেবাবাৰো কৈ ফকিৰে সেই বিষয়ে কিবা জানে নে কি সুধিলে।

ফকিৰ—"মই অধিক একো নেজানো কিন্তু আপুনি অহাৰ কেইঘণ্টামান পূৰ্ব্বে মলিন বেশৰ এজন লোকে মোক কৈছিল "যদি ৰাজকুঁৱৰী জেহানেৱা ইয়াৰ পিছত ইয়ালৈ আহি মোৰ বিষয়ে কিবা খবৰ কবেহি তেনেহলে আপুনি কব মই তেওঁৰ চিঠি পাইছো আৰু মই কেতিয়াও তেওঁৰ দৃষ্টিগোচৰ বাটেদি নেযাওঁ।"

ফকিৰৰ কথা শেষ হোৱাত জেহানেৱাৰ অবয়বত সুস্পষ্ট পৰিবৰ্ত্তনৰ চিন দেখা দিলেহি। এতিয়া তেওঁৰ মুখাবয়ৱত অপাৰ্থিব প্ৰশান্ততা আৰু বিৰ্মতা। তেওঁ আৰু কোনো কথা নকৈ নীৰবে তেওঁলোকৰ পৰা বিদায় লৈ গাড়ীৰ ওচৰলৈ আহিল। গাড়ীৰ পাদানিত এটা ভৰি থৈ তেওঁ মুখ ঘুৰাই ফকিৰক আকৌ সুধিলে "তেওঁ কিমান সময়ৰ পূৰ্ব্বে এই ঠাইৰ পৰা গল"?

ফকিৰ—"প্ৰায় দুই ঘণ্টা পূৰ্ব্বে"।

জেহানেৱা—"কোন বাটেদি গৈছে?"

ফকিৰ—"সেইটো মন কৰিবলৈ নহল"।

জেহানেৱা—"অন্ত কোনোৱে কব পাৰিবনে?"

ফকিৰ—"সম্ভৱ নহয় কাৰণ আপুনি অনুসন্ধান কৰাৰ পিছত মই কেবাজনকো সুধি চালোঁ"।

আঁৰকাপোৰ পৰিল। জেহানেৱা উদং হিয়াৰে গাড়ীৰ ভিতৰলৈ সোমাল আৰু গাড়ী চলিবলৈ ধৰিলে। ঠিক এই সময়তে তেওঁ মন্দিৰৰ লগত থকা পুখুৰীত ধপংকৈ ডাঙৰ আওৱাজ এটা শুনিলে। তেওঁ জানিছিল লৰা বিলাকে ওখৰ পৰা জাপমাৰি সাঁতুৰি ধেমালি কৰিছে। আগেয়েও তেওঁ লৰাবিলাকক এই দৰে সেই পুখুৰীত বহুত ওপৰৰ পৰা পানীত জাপমাৰি ধেমালি কৰা দেখিছিল। কিন্তু এতিয়া সেই শব্দ শুনি তেওঁ ৰবকৈ চমক খাই উঠিল—তেওঁৰ মনত এটা চিন্তা সোমালহি আৰু তাকেই তেওঁ গাড়ীৰ গতিৰ লগে লগে সূক্ষ্মভাবে ভাবি মনত যন্ত্ৰণা ভোগ কৰিবলৈ ধৰিলে। তেওঁ ভাবিলে কাচিমেই পানীত ডুবি আত্মহত্যা কৰিলে। কাচিম মন্দিৰৰ পৰা ওলাই খোৱা হলে এজনে নহয় এজনে দেখিলেহেঁতেন।

কাচিমে পানীত পৰি আত্মহত্যা কৰা ভাব তেওঁ মনৰ পৰা ওচাৰ নোৱাৰিলে। যিমানেই ভাবিবলৈ ধৰিলে সিমানেই বিশ্বাস দৃঢ় হবলৈ ধৰিলে। তেওঁ ভাবিলে কাচিমৰ প্ৰথম দুৰ্ভাগ্যৰ যেনেকৈ তেৱেই কাৰণ হৈছিল আজি আত্মহত্যাৰো কাৰণ তেৱেই। তেওঁ ইমান ক্ষিপ্ততাৰে কাচিমলৈ চিঠিৰ উত্তৰ নিদি পিতাকৰ মনোভাব জুখি চাবলৈ অপেক্ষা কৰা হলে কাচিম আজিও জীৱিত থাকিলহেঁতেন। যদিও আবঞ্জিবে কাচিমৰ নৈতে তেওঁৰ বিয়াৰ অনুমতি কেতিয়াও নিদিয়ে তথাপি উভয়ে পৰস্পৰৰ অন্তৰ বিনিময়পূৰ্ব্বক আনন্দত দিন কটাব পাৰিলে ছেতেন। কিন্তু তেওঁ অধৈর্য্য হৈ চিঠিৰ উত্তৰ

পোৱাই নিজৰ শোচনীয় দুর্ভাগ্য নিজেই আনি ললে। হায় সময় অতীত হৈ যোৱাৰ পিছতহে প্ৰতিকাৰৰ চেষ্টা কৰিবলৈ তেওঁৰ ধাউতি আছিল।

জেহানেৱা মেতিয়া উভতি আহি ৰাজপ্ৰাসাদ পালেহি দাসী তাৰ পূৰ্ব্বেই উলটি আহি তেওঁৰ নিমিত্তে বাটচাই আছিল। নির্দ্দোষী দাসীৰ প্ৰতি তেওঁৰ এটা বাতুল ঘৃণা উপজিল আৰু তাইক তেওঁ একো মাতবোল নিদিলে। দাসীয়ে উপায়াচি কলেহি তাই নিজ হাতে কাচিমক চিঠি দি আহিছে আৰু কাচিমেও ৰাজকুঁৱৰীলৈ মৌখিক বতৰা পঠাইছে। জেহানেৱাই উদিয়ম হৈ সুধিলে "তেওঁ কি কৈছিল"

দাসী—তেওঁ কৈছিল মই আৰু কেতিয়াও চিঠি নিদিও আৰু তেওঁৰ দৃষ্টিগোচৰ বাটেদিও নেযাওঁ। তোমাৰ ৰাজকুঁৱৰীক কবা তেওঁ ইয়াত তেওঁৰ কাৰ্য্যৰ হিচাব নিদিলেও এদিন শৰ্ব্বশক্তিমান ঈশ্বৰৰ আগত সেই হিচাব দিব লাগিব।'

জেহানেৱা—"নিশ্চয় মই হিচাব দিব লাগিব। তেওঁ অতীত কাহিনীৰ কথা কিবা কৈছিল নে?"

দাসী—"তেওঁ যি কথা কৈছিল সেই কথা অতি শোক লগা। তেওঁ কৈছিল "চাহজাদা দাৰাই দৰবাৰ হলত গোপনীয় ভাবে সম্ৰাটৰ তামোলৰ পৰিবৰ্ত্তে খাবলৈ অন্য এখন তামোল দিছিল। সম্ৰাটৰ মনৰ সন্দেহ দূৰ কৰিবৰ বাবে সেই তামোলতো চাহজাদাই সামান্য বিষাক্ত বস্তু মিহলাই দিয়াত তেওঁ তামোল খোৱাৰ পিছত অজ্ঞান হৈ পৰিল। চাহজাদাৰ ইঙ্গিত মতে কেজন মান বিষয়াই তেওঁক অন্য এটা ঘৰলৈ নি শুৱাই থলেগৈ। তেওঁ জ্ঞান লাভ কৰাৰ পিছত চাহজাদাই, কৃত্তিম নাম ৰাখি অথাবোহী সৈন্যৰূপে চাহজাদাৰ সৈন্যৰ লগত মুবাদ আৰু আবঞ্জিবৰ বিৰুদ্ধে যুদ্ধলৈ পঠালে। তাৰ পিছত যুদ্ধত হাৰি চাহজাদাৰ সৈতে লাহোৰলৈ পলাই গল। লাহোৰ দুৰ্গৰ কাষত এদিন তেওঁ গধূলি ঘুৰাঘুৰি কৰি হাওৱা খাইছিল। খিৰিকীৰ কাষতে চাহজাদাই বাহিৰলৈ পেলাই দিয়া অপ্ৰয়োজনীয় কাগজৰ লগতে চাহজাদাই ৰাজকুঁৱৰীলৈ লিখা এখন চিঠি তেওঁৰ চকুত পৰিল আৰু সেই চিঠি তুলি লৈ তেওঁ পঢ়িলে। তেওঁৰ প্ৰাণ উদ্ধাৰৰ বৰ্ণনাৰ পিছত চাহজাদাই লিখিছিল যে কাচিমৰ হীনাৱস্থালৈ চাই কাচিমক ৰাজকুঁৱৰীৰ লগত সাক্ষাত কৰিবলৈ পঠোৱা নাইবা তেওঁলোক দুইৰো বিয়া হবলৈ দিয়াটো তেওঁ অপমান জনক বোধ কৰে। তথাপিও চাহজাদাৰ মৃত্যুৰ পূৰ্ব্বেই তেওঁৰ প্ৰতিজ্ঞা ৰক্ষার্থে কাচিমক তেওঁৰ লগত সাক্ষাত কৰিবলৈ পঠাব।"

এই চিঠি লিখাৰ পিছত চাহাজাদাৰ মনোভাব পৰিবৰ্ত্তন হোৱাত সেই চিঠি তেওঁ ৰাজকুঁৱৰীলৈ নপঠালে। এই চিঠিৰ পৰাই তেওঁৰ প্ৰতি ৰাজকুঁৱৰীৰ মনোভাব তেওঁৰ বুজিবলৈ বাকী নেথাকিল। ত্ৰাণকৰ্ত্তা চাহজাদাক সঙ্কটাৱস্থাত এৰিব নোৱাৰি সম্ৰাট আবঞ্জিবে চাহজাদাক হত্যা কৰা মুহূৰ্ত্তলৈকে তেওঁ চাহজাদাক বিশ্বস্তভাবে পৰিচর্য্যা কৰি আছিল। ইয়াৰ পিছতেই গাহোৰৰ পৰা আপোনাক দেখা কৰিবলৈ আহিছিল কিন্তু আবঞ্জিবে তেওঁক চাহজাদাৰ অনুচৰ বুলি চিনিপাই কাবাৰুদ্ধ কৰিলে। এক বছৰ কাবাগাৰাত থকাৰ পিছত তেওঁ পলাই গৈ কিছুমান দিন অজ্ঞাতভাবে আছিল। তেওঁ যেতিয়া নিজৰ জীৱন নিৰাপদ ভাবিলে তেতিয়া অতি দুর্দ্দশাৱস্থাত আপোনাক সাক্ষাত কৰিবলৈ আগ্ৰালৈ আহি চেলিম-কিষ্টৰ মন্দিৰত ফকিৰ হৈ আছিল। আপোনাক দেখা পাবলৈ বহুত যত্ন কৰিও দেখা নেপাই এদিন মোক মচজিদৰ ওপৰত লগ পাই সেই চিঠি মোৰ হাতত আপোনালৈ পঠাইছিল।"

জেহানেৱাই ধৈর্য্যৰে সৈতে গোটেই কাহিনী শুনি লৈ একো উত্তৰ নিদিলে। তেওঁ এই কৰুণ কাহিনী শুনি কিমান মর্ম্মাহত হৈছিল সেইটো সহজেই অনুমান কৰিব পাৰি। কাচিমৰ লগত তেওঁৰ বিয়া সম্ভবপৰ নহলেও যি কাচিমক তেওঁ নিজৰ প্ৰাণতকৈও বেছি ভাল পাইছে সেই কাচিমৰ লগত সাক্ষাত্ কৰি পৰস্পৰৰ অন্তৰ বিনিময় কৰিবলৈ নেপাই জেহানেৱাৰ কোমল হিয়াত মচিব নোৱাৰা এটা গভীৰ বেথাৰ দাগ বৈ গল। কিন্তু তেওঁ তেতিয়া কোনো কথাও নকলে আৰু নেকান্দিলেও। পিছলৈ অকলে অকলে হেপাহপলাই কান্দিবলৈ তেওঁ

সমষ্টি শোক আৰু মনস্তাপ তেওঁৰ বক্তাক্ত হিয়াত অতি প্ৰিয় বস্তুৰ দৰে সাঁচি থলে।

সেই ঘটনাৰ পৰা আৰু এবছৰ পাৰ হৈ গল। আৰু বৃদ্ধ সম্ৰাট চাহাজান অতি মৰমৰ জীয়ৰী জেহানেৰাৰ কোলাত শয়ন কৰি অবিনশ্বৰ তাজমহল অনিমেষ দৃষ্টিৰে চাই নশ্বৰ দেহা ত্যাগ কৰিলে। শেষ মুহূৰ্ত্তত তেওঁ এনে ভাবে এবাৰ কাচিমৰ নাম কৈছিল যেন সেই সময়ত এটা অস্ফুট স্বৰে তেওঁক কাণে কাণে কৈ দিছিল কাচিম এতিয়াও জীৱিত আছে। তেওঁৰ যদিও তেতিয়া বাকশক্তি নাছিল কিন্তু তেওঁৰ মুখত এই ভাবৰ এটা আহ্লাদৰ চিন বিবিজি উঠিছিল।

আবঙ্গজিবে বৃদ্ধ সম্ৰাটৰ মৃত্যুৰ পিছত বাজপ্ৰাসাদ আগ্ৰাৰ পৰা দিল্লীলৈ উঠাই নিলে। চাহাজানৰ মৃত্যু জেহানেৰাৰ স্বাস্থ্যৰ পক্ষে এটা ডাঙৰ পৰীক্ষা হৈ উঠিল। বহুকালৰ আগৰে পৰা তেওঁৰ স্বাস্থ্য ক্ৰমাত হানি হৈ আহিছে। এইটো স্পষ্টই বুজা গৈছিল যে বৃদ্ধ সম্ৰাটৰ পাছে পাছে তেয়ো জীৱন লীলা অন্ত কৰিব। এতিয়া পলে পলে তেওঁৰ স্বাস্থ্য ক্ষয় হৈ আহিবলৈ ধৰিলে।

অৱশেষত তেওঁৰো সময় আহিল। হাকিমে নাড়ি পৰীক্ষা কৰি মুখ জোকাবিলে। ইয়াৰ পিছত এজন হিন্দু কবিৰাজ আহি তেওঁক পৰীক্ষা কৰি উৎসাহজনক একো আশা নিদিলে।

আবঙ্গজিবে এই খবৰ পাই জেহানেৰাক চাবলৈ আহিল। যদিও ভাই ভনীৰ ভিতৰত কোনো সদ্ভাৱ নাছিল ধৰ্ম্মভীৰু সম্ৰাটে জেহানেৰাৰ নিৰ্ম্মল ধাৰ্ম্মিক জীৱন অন্তৰত সদায় প্ৰশংসা কৰিছিল। অন্তিম মুহূৰ্ত্তত তেওঁৰ কিবা কব লগীয়া আছে নে নাই বুলি তেওঁক আবঙ্গজিবে সুধিলে। এই কথাত জেহানেৰাই হাঁহিলে আৰু সম্পূৰ্ণ সজ্ঞানাবস্থাত উত্তৰ দিলে। মোৰ একমাত্ৰ ইচ্ছা যে ঘাঁহৰ বাহিবে মোৰ কবৰৰ ওপৰত যেন কোনো স্মৃতিস্তম্ভ নিৰ্ম্মাণ কবা নহয়। ভাই এই পৃথিবীৰ প্ৰত্যেক বস্তুৰেই অসাৰ আৰু যি জনে ক্ষীণ বুদ্ধি আৰু অহঙ্কাৰৰ বশৱৰ্ত্তী হৈ অসাৰ বস্তুৰে নিৰ্ম্মিত স্মৃতিস্তম্ভ দ্বাৰা নিজৰ মলিন হাড় বিলাক লুকাবলৈ বিচাৰে তেৱেই প্ৰকৃত মূৰ্খ। আৰু তেওঁ সেই সম্বন্ধে পূৰ্ব্বেই লিখা এটা কবিতা পুনৰাবৃত্তি কবিলে। সেই কবিতা দিল্লীত আজিও তেওঁৰ কবৰৰ ওপৰত জিলিকি আছে।

জেহানেৰাৰ অন্তিম ইচ্ছাই আবঙ্গজিবৰ অন্তৰত এটা গভীৰ চাপ দিলে। তেওঁ পূৰ্ব্বৰ পৰাই অগণ অনুভব কৰি আহিছিল যে এই বাজ মুকুট অসাৰ আৰু পবিধানকাৰীক ই কেতিয়াও শান্তি দিব নোৱাবে। তেওঁ জেহানেৰাৰ মুখলৈ চাই গম্ভীৰ ভাবে ওলাই আহিল।

তেওঁ যোৱাৰ পিছত দাসীয়ে কান্দি কান্দি উখহা চকুবে জেহানেৰাৰ ওচৰলৈ গৈ লাহেকৈ কলে "বেগম চাহেবা কাচিমে শেষবাৰ আপোনাক চাবলৈ ইচ্ছা কবিছে।

জেহানেৰাই ধীবে ধীবে চকু মেলি অতি ক্ষীণ কণ্ঠেবে কলে "কাচিম?" দাসীয়ে কান্দি কান্দি কলে "হয়, কাচিম আপোনাব অন্তিম সময়ৰ কথা শুনি তেওঁ আপোনাক চাবলৈ আহি গেইটত অপেক্ষা কবি আছে।"

জেহানেৰাই অতি কষ্টে কলে "যদি তেওঁক আনিবৰ কিবা দিহা কবিব পাবা আনাগৈ।" আৰু অন্তিম হাঁহি এটা মাবি কলে "মৃত্যু গ্ৰাসত পতিতা বিবৰ্ণা জেহানেৰাক তেওঁৰ স্বপ্নৰ সুমধুৰ জেহানেৰা বুলি চিনি নোৱাবি।"

আবঙ্গজিব এই সময়ত দেওয়ানী খাছলৈ গৈ থাকোতে দাসীয়ে লবাবি কৈ গৈ বাটতে আঁঠুলৈ এজন ফকীৰক জেহানেৰাৰ ওচৰলৈ আনিবলৈ অনুমতি বিচাবিলে। সম্ৰাটে সময়ত অনুমতি পত্ৰ দিয়াত দাসীয়ে কাচিমক আনিবলৈ দৌৰি গল।

কাচিমে উদ্বেগপূৰ্ণ হিয়াবে দাসীলৈ বাট চাই আছে জেহানেৰাই যে তেওঁক সদায় সুবিবেচিত অবহেলা দেখাই আহিছে এই চিন্তাই তেওঁৰ জীৱন অশান্তিময় কবি তুলিছিল। দাসীৰ পৰা শুনা বিপৰীত কথাই তেওঁৰ ভ্ৰান্তি একেবাৰেই দূৰ কবিলে। মৃত্যুৰ পূৰ্ব্বে জেহানেৰাৰ ওপৰত তেওঁৰ ভুল ধাৰণাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিবলৈ তেওঁৰ ইচ্ছা আৰু প্ৰবল হৈ উঠিল। দাসীৰ হাতত অনুমতি পত্ৰ দেখি শোকাতুৰ কাচিমৰ হিয়াত আনন্দই দেখা দিলে আৰু দাসীৰ পাছে পাছে অন্তঃপুৰলৈ খোজ ললে।

কাচিমে কোঠাৰ ভিতৰলৈ প্ৰবেশ কবিয়েই দ্ৰুতবেগ ওচবতে থিয় হৈ গল। তেওঁ জলজলিয়া চকুবে ক্ষণালী পালেঙৰ ওপৰত দীঘলে পৰি থকা জেহানেৰাৰ চকু যুগ্মৰীয় সৌন্দৰ্য্যৰ মুখাবয়বলৈ চাই থাকিল। জেহানেৰাৰ চকু মুদগোৱা, মুখ বিবর্ণ আৰু ওঠত হাঁহিৰ খেলা।

কাচিম আছিল কিন্তু জেহানেৰাই চকু নেমেলিলে নদীয়ে কেবাবাবো মাতিলে কিন্তু তেওঁ উত্তৰ নিদিলে জেহানেৰাৰ বিবর্ণতাই কাচিমৰ বাধিত অন্তৰ অপ্রত্যাশিত ঠাইৰ পৰা হঠাৎ পৰা বিষযুক্ত শেলৰ দৰে বিন্ধিলে।

হায়! জেহানেৰা আৰু নাই। সঙ্গা এৰি প্ৰাণ পখী উৰি গৈছে বুলি ইঙ্গিত দিবলৈ তেওঁৰ মুখত তেনে কোনো চিন নাছিল। বোধ হৈছিল তেওঁ গম্ভীৰ নিদ্রাত পৰি মধুৰ স্বপ্ন দেখি হাঁহি আছিল। কাৰণ চিঞৰ মাৰি দাসী জেহানেৰাৰ মৃত দেহৰ ওপৰত পৰি কান্দিবলৈ লাগিল। কিন্তু কাচিমে নেকান্দিলে। যাক তেওঁ যৌৱনৰ আৰম্ভণে পৰা অন্তৰত পূজা কৰি আহিছে আজি সেই প্ৰিয়তমাৰ বয়স আৰু নম্ৰতা গুণত পবিত্ৰআৰু মৃত্যু ছাঁযাযুক্ত মহান আৰু প্ৰশান্ত চিত্ৰ স্থিবদৃষ্টিবে চাই ললে। কাচিমে পাছলৈ হুহকি ধীবে ধীবে বাজ প্ৰাসাদৰ পৰা ওলাই আহিল। তেতিয়াবে পৰা কাচিমৰ বিষয়ে কোনেও একো নেজানিলে।

নগাওঁৰ অতীত বুৰঞ্জী

—শ্ৰীযুত আনন্দ ৰাম গোহাঁই বি-এ

কলং ব্ৰহ্মপুত্ৰৰ সুঁতী। বিষ্ণনাথৰ পৰা ব্ৰহ্মপুত্ৰতে ফাট ওলাই নগাওঁ জিলাৰ মাজেদি বৈ গৈ কাজলি মুখত ব্ৰহ্মপুত্ৰৰে পুনৰ সম্মিলিত হৈছে। এই দৰে নগাওঁৰ উত্তৰ সীমাই ব্ৰহ্মপুত্ৰ নদ আৰু মাজেদি কলং বৈ গৈ এই প্ৰতিপত্তি দুগুণে বঢ়াই নগাওঁৰ দক্ষিণত মিকিৰ পাহাৰৰ হাঁতি কছাৰী জয়ন্তীয়া দিমকৰা, নেলী, সলা আৰু গোভা আদি দাতীয়লীয়াৰ বজা থকাত এই কলঙকেই অনেক সময়ত অঞ্চল বাজ্যৰ সীমা নির্দ্ধাবণ কবিব লগাত পবিছিল। আৰু সীমাবধীয়া প্ৰধান বিষয়া বহাত বহিয়াল গোহাঁই (পিছত বহিয়াল বকৰা) আৰু জাগীত জাগীয়াল গোহাঁই পদৰ সৃষ্টি কবে। আৰু এই দুই ঠাইতে উচ্চ বংশৰ অঞ্চল সম্প্রদায়ৰ বিষয়া বাধাৰ নিযম হয়। এই দুই দাতীয়লীয়াৰ বাহিবেও ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে দৰঙী বজা থকাত আৰু সেই সময়ত তুবৰক আদি সেনাপতিৰ নেতৃত্বত পৰিচালিত হৈ ধাবাবাহিক ৰূপে মুছলমানৰ বণত লিপ্ত থাকিব লগীয়া হোৱাত কাজলী মুখত আন এখন চকি পাতি এজন বিষয়া বখাৰ নিযম হয়। এই বিষয়াজনক কাজলী মুখীয়া বৰফুকন আৰু অন্তত কাজলী মুখীয়া গোহাঁই নামে অভিহিত হয়।

বং পুৰৰ পৰা বজা গৌহাটীলৈ ভটিয়াই আহিলে সাধাবণতে নাঙত আহে আৰু চাম দৰা বা বিশ্বনাথ পালেই ব্ৰহ্মপুত্ৰ এৰি কলডেবি আহি কলং তীৰস্থ প্ৰসিদ্ধ কলিয়াবৰ, বছা, জাগী আৰু কাজলীৰ দায়ীত্বপূর্ণ শাসনকার্য্য পর্য্যালোচনা কবিছে গৌহাটীৰ বৰফুকনৰ ওৰি

পায় গৈ। আকৌ বৎপুৰত তেনে বিশেষ জৰুৰী কাৰ্য্য নেথাকিলে গৌহাটীৰ পৰা উভতি আহোঁতেও পুনৰ কাজলী মুখেদি কলঙত সোমাই প্ৰতিদিন চকিতে সোমাই নানাবিধ সংবাদ গ্ৰহণ কৰিহে বিশ্বনাথত ব্ৰহ্মপুত্ৰত উঠি নিজ বাজধানীলৈ যাত্ৰা কৰে।

কলংস্থতীৰ বুৰঞ্জীমূলক সম্পদ বাশি অসমৰ ব্ৰহ্মপুত্ৰ দিহিং দিখৌ, নামাদাং, জাঁজী ভোজদৈ আৰু ভৰলুনদ উপনদীতকৈ কোনো ওণে কম নহব। কিন্তু, সম্প্ৰতি প্ৰবন্ধৰ কলেবৰ বৃদ্ধিহোৱাৰ ভয়ত ইয়াক উদ্ধৃকিয়াই এবিলো। অন্য ঠাইত ইয়াৰ বিস্তাৰিত আলোচনা কৰিবলৈ আশা থাকিল। কলং পাৰত কেইবাখনো বুৰঞ্জী প্ৰসিদ্ধ স্থান আছে। ইয়াৰ ভিতৰত কলিয়াৰব, স্থামণ্ডবি পুৰনিগুডাম, বহা জাগী, বহা আৰু কাজলীমুখেই প্ৰধান। আকৌ এই কেই ঠাইৰ নাম ইয়াত উদ্ধৃকিয়াই সম্প্ৰতি এবি আজিলৈকে কোনেও হাতত নোলোৱা বুৰঞ্জীৰ অন্ধকাৰত পবি থকা বহা, কাজলীমুখ আৰু মায়ঙৰ বিষয়ে আমাৰ দি জনা আছে তাকে এই প্ৰৱন্ধত পাঠক বৰ্গৰ আগত ডাঙি ধৰিব খোজোঁ।

বহা

জাগী চকিৰ পৰা প্ৰায় ১২ মাইল দুৰত কলঙৰ পাৰতে বহা নামে এটি পৰ্ব্বত আৰু এখনি গাঁও আছে। চতুষ্পাৰ্শে সুবিস্তৃত জলাশয় সমূখত কুলসুৰে বৈ যোৱা কলং নৈ লৈ এই শৈলখণ্ডতে কোনো স্মৰণাতীত কালত বাজবাজেশ্বৰ বাজপুৰী আছিল বুলি দৰ্শক মাত্ৰেই এটি সাধাৰণতে ভাব ওপজে। এই পাহাৰটোৰ তিনি কাষে ৩ খন আহল বহল পুখুৰী বা বিল এতিয়াও আছে। পাহাৰত ওপুৱত্ব পূৰ্ণ এখন ঢাকনিৰে এটা শিলৰ পেৰাও আছে। পাহাৰৰ মাজ ভাগত ৫।৬ ফুট ওখ শিলত কটা গণেশ মূৰ্ত্তি এখন কাটি হৈ আছে। এই মূৰ্ত্তিখন ওপই * হংসধ্বজ ৰজাৰ ভদ্ৰাৱতী পুৰৰ (বৰ্ত্তমান নগাঁওৰ চাপানালাৰ) দুর্গা মূৰ্ত্তিৰ লগত প্ৰায় সমান হব। এতিয়াও এই গণেশ খানত লক্ষোদৰ দৰ্শনাৰ্থে অনেক যাত্ৰীৰ সমাগম হয়। এই মূৰ্ত্তিটো পাহাৰৰ মাজত এক সমতল ভূমিত এটা প্ৰকাণ্ড শিলৰ ওপৰত পোৱা যায়। এই খানলৈ ঘোৱা বাট কেৱলমাত্ৰ এটাহে আছে। এই বহাতে এসময়ত জন্মেজয় নামে এজনা ৰজা আছিল বুলি এটি কিংবদন্তি শুনা যায়। এওঁ কোন জন্মেজয় ৰজা কোনে কব? বহা নামটোৰ সম্বন্ধেও এটা কিম্বদন্তী আছে। কছাৰী ৰজাৰ নৌকাবোহী সৈন্যৰ খেদাত অসুৰ জঙ্গাল বলহৰে প্ৰাণ ৰক্ষাৰ্থে কলং নদীত পানীৰ তলে তলে ডুব মাৰি গৈ জাঁগীত জাগি আৰু বহাত ক্ষণেক বহে গতিকেই এই পাহাৰৰ নাম বহা হয়।

মিটনিৰ জগন্নাথ মন্দিৰ

বহাৰ পশ্চিমে প্ৰায় ৫ মাইল দুৰত কলং নদীৰ দক্ষিণ পাৰে মিটনিত জগন্নাথ মন্দিৰ আছে। মিটনি ষ্টেছনৰ পৰা প্ৰায় ৫ মাইল উত্তৰে।

বুঢ়া-বুঢ়ী পাহাৰ

'বহাৰ' পৰা ১৷ মাইল দুৰত বুঢ়া-বুঢ়ী নামে এটি পাহাৰ আছে। পাহাৰটো ৩টা শিলবে গঠিত বুলি ধৰিব পাৰি। শিল ২টাৰ আকাৰ—প্ৰথমটো ডাঙৰ, দ্বিতীয়টো মজলীয়া কিন্তু দেখাত দীঘলীয়া। ডাঙৰ শিল পিতাক, মজলীয়া শিল মাক আৰু এই ছটাৰ মাজৰ সৰু শিলটো পুতেক পঠালি দি পবি আছে। কথিত আছে যে বুঢ়াই বুঢ়ীৰ লগত কাজিয়া কবি বুঢ়ীক মাবিবলৈ খেদি গোৱাত পুতেকে পঠালি দি বাধা দিয়ে আৰু তিনিও পূৰ্ব্ব শাপত সেই অৱস্থাতে শিলা হৈ পবে। বুঢ়া পাহাৰৰ ওচবতে আহোম ৰজা দিনীয়া অতী ডাঙৰ আকাৰৰ বৰটোপৰ ওলি পবি থকা পোৱা যায়।

মায়ং

মায়ং মায়ঙৰ শব্দৰ অপভ্ৰংশ মাথোন। ই ব্ৰহ্মপুত্ৰৰ তীৰত অৱস্থিত। আহোম স্বৰ্গদেও সকলৰ বাজনীতি অনুসবি ভূঞা সকলক ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে আনি বসতি কবিবলৈ দিয়াৰ দবে মায়ঙৰ কছাৰি ৰাজপবিষ্কাৰক মাটি বাবী দি এই ঠাইত পৃথকে বসতি কবিবলৈ দিয়ে।

মায়ং নামে এটা পাহাৰ আৰু এখন ডাঙৰ গাঁও আছে। গাওঁবন ডেকা বা বজা মায়ং, হাতী মুবীয়া মায়ং আৰু বুঢ়া মায়ং নামে ৩ ভাগে বিভক্ত। পাহাৰটোও কেইবা ভাগত বিভক্ত। ইয়াৰ একো একো ভাগৰ একো একো নাম আছে যেনে কাছশিলা পাহাৰ, হিলেখুন্দা পাহাৰ, গণেশ পাহাৰ হাতী বাগৰা শিল ইত্যাদি। এই পাহাৰৰ পুৰ দীতিয়েদি পুণ্যতোয়া ব্ৰহ্মপুত্ৰ কুলু কুলু সুবে অবিবাম বৈগে মায়ঙৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোমোহা কবি তুলিছে।

ডেকা বা বজা মায়ঙতে মায়ঙবাসীয়া ৰাজ পবিষালৰ শেষ বাসস্থান আছিল। ডেকা মায়ঙৰ ওচবতে হাতী মুবীয়া মায়ং। ইয়াত এটা গণেশ মূৰ্ত্তি আছে। হাতীমুবীয়া মায়ঙৰ ডেৰ মাইল পশ্চিমে বুঢ়া মায়ং। ইয়াত এখন দুর্গাৰ মূৰ্ত্তি আৰু এখন কালীৰ মূৰ্ত্তি আছে। হাতী মুবীয়া মায়ঙৰ পবা বুঢ়া মায়ঙলৈ এটা আধৰ দিনীয়া গড় বা আলি আছে। হাতী মুবীয়া মায়ঙৰ উত্তৰে কাছশিলা পাহাৰ। এই পাহাৰ আৰু হাতীমুবীয়া মায়ঙৰ মাজত এটা দ'খাল বা জান আছে। পাহাৰটো বৰ ওখ আৰু খিয়। এই পাহাৰৰ টিতত এটা কাছৰ প্ৰতিমূৰ্ত্তি শিলা হৈ আছে। ই ভগৱানৰ কুৰ্ম্ম অৱতাৰৰ চিন নেকি?

সৌকাবদ্ধা হিলেখুন্দা আৰু হাতীবাগৰা

বুঢ়া মায়ঙৰ ৩ মাইল পুবে সৌকাবদ্ধা নামে এটা মাটীয়া পাহাৰ আছে। এই পাহাৰটো খান্দি চালেই অনেক ইটা পোৱা যায়। হিলেখুন্দা পাহাৰ ব্ৰহ্মপুত্ৰৰ তীতত। ইয়াৰ ওপৰত উঠি দৃষ্টি নিক্ষেপ কবি অনেক দুৰ প্ৰাকৃতিৰ শোভা চাব পাবি। এই পাহাৰৰ প্ৰায় ৩মাইল পশ্চিমে গণেশ বা ধন তোলা নামে এটা পাহাৰ আছে। এই পাহাৰৰ একেঠাইতে কেইবাটিও গণেশ, কালী আৰু দুর্গাৰ মূৰ্ত্তি পোৱা যায়। মায়ং পাহাৰৰ আন এক খণ্ডক হাতী বাগৰা শিল বোলে, ই খিয় এক খণ্ড শিলবে গঠিত।

বিল-কাজীৰ থান

বুঢ়া মায়ঙৰ উত্তৰে মায়ং পাহাৰৰ ওবিতে সৰু পাহাৰ এটাত বিল কাজী নামে এখন থান আৰু ওচবতে এটা বৰ পুখুৰি বা বিল আছে। মিঃ গেইট চাহাবৰ বুৰঞ্জীৰ ১১১পৃষ্ঠাত এইদৰে পাইছো।—

"Lakshmi Narayan, Raja of Koch Bihar with the consent of the Nowab of Dacca, sent one Biro Kazi to Protap Singh to offer his services as mediator, Biro Kazi was kept in confinement"

এই কটকীৰ বিষয়ে কামৰূপৰ বুৰঞ্জীৰ ২১ পৃষ্ঠাত এই দৰে পাইছো। "বিৰুকাজ্জি আছিল আগিয়াঠুটিত আমাৰ লাহি ফুকন আছিল কাজলীত।.....লাহি ফুকনৰ ঠাইলৈ প্ৰীতিৰ কাৰণে কৈ পঠালে। পাচে ফুকনেও কটকীক পঠাই বোলে" "ফুকনেও তাক উপাই কবি কাজলীলৈকে অনাব।" "পাচে ফুকনৰ আজ্ঞাৱে কাজ্জিক উপাই মন্ত্ৰণাৰ ধাৰায়ে নাৱত তুলি আনিলে··· পাচে কাজলী পালেহি। ফুকনে কথাবাৰ্ত্তা কৈ স্বৰ্গদেওক সেৱা কবি আহিবলৈ পঠালে। স্বৰ্গদেৱে বোলে, "কাজ্জি এখন থাকক মোকে বঙালকে মিলাব নোৱাৰে মানে। এই বুলি বাঘচোৱাত ঘৰ বাবী সাজি দি বাখিলে, যাবলৈ নাপালে।" এই কটকী জনৰ নামৰ পৰাই এই থান আৰু বিলৰ নাম বিৰুকাজ্জিৰ ঠাইত কালক্ৰমে বিল্ কাজ্জী হৈছে নেকি? আৰু এই বাঘচোৱাই বা আছিল কত? বিলকাজ্জী থানত বঙাফুল উৰ্ণা কবি হিন্দুযাত্ৰী সকলে সেৱা জনায়। তেন্তে ই অসমৰ দ্বিতীয় পোৱা মক্কা নেকি?

কাজলী

কাজলী বা কাজলী মুখ মায়ঙৰ পবা ৪ মাইল আঁতৰ; সুদূৰত মায়ং পাহাৰ এবি কাজলীত কলং নদী মহাবাহু ব্ৰহ্মপুত্ৰবে সম্মিলিত হৈ যুদ্ধ বিগ্ৰহৰ বাবে ইয়াত এক অপূৰ্ব্ব স্থান নিৰ্দ্দেশ কবিছে। ওৱাহাটী আহোমে মাবি লোৱাৰ আগতে নগাওঁৰ কাজলীৰ গৌৰৱ কামৰূপৰ ওৱাহাটীতকৈ কোনো ওণে কম নাছিল। আহোম

* লিখকৰ 'নিলনৰ' হংসধ্বজ আৰু ভদ্ৰাৱতীপুৰ নামৰ প্ৰবন্ধত চাওক।

ৰজাই ইয়াৰ পৰাই মুছলমানৰ লগত কেইবাখনো যুদ্ধ কৰিব লগা হোৱাত ইয়াতে এখন চকি পাতি ৰব পাও গোহাঁই বা ৰবগোহাঁই ফৈদৰ এজন বিষয়া ৰখাৰ নিয়ম কৰে। এওঁ জগীৰ জগীয়াল গোহাঁইৰ দৰে কাজলীৰ কাজলী মুখীয়া গোহাঁই নামে পৰিচিত হয়। কোৱা বাহুল্য এই কাজলী চকীতে পোন প্ৰথমে ৰবফুকনৰ পদ সৃষ্টি হয়। এই বিষয়ে কামৰূপৰ বুৰঞ্জীৰ ২০ পৃষ্ঠাত এইদৰে পাইছোঁ। "পাচে বঙালবে যুদ্ধ হাৰি পুনৰ্ব্বাৰ কাজলীত বহিলহি। সেই সময়ত ৰাজিক ৰবফুকন নাম দি কাজলীলৈ পঠালে। সেই সময়ৰ পৰাহে ৰবফুকন নাম হল।" কাজলীত ৰজা দিনীয়া আলি পুখুৰি আদি এতিয়াও দেখিবলৈ পোৱা যায়। হাতী বাগৰা শিলৰ পৰা কাজলী লৈ এটা ওখ গড় আছে ইয়াক হাতী গড় বোলে। কাজলী মুখীয়া গোহাঁইৰ খাট কাজলীৰ দক্ষিণ ফালে আছে ইয়াক গোহাঁই খাট বুলি মানুহে কয়। ইয়াত কলিয়াৰবৰ অন্তৰ্গত জগলাবান্ধাত থকা নৰসিংহ দেৱালয়ৰ দৰে এখনি নৰসিংহ দেৱালয় আছে। জগলাবান্ধাৰ নৰসিংহ মূৰ্ত্তিৰ দৰে এই মূৰ্ত্তিটো মানৰ আক্ৰমণৰ সময়ত ছদ্মৰ মানে কিছু অংশ ভাগি পেলায়। প্ৰাচীন যুদ্ধ বিগ্ৰহৰ সাক্ষি দি কলঙৰ দাঁতিত এতিয়াও ৰবটোপৰ গুলি পৰি থকা দেখা যায়। আগৰ বৃহৎ কাজলীৰ সাক্ষি দিবলৈ এতিয়াওঁ কাজলী নামে এখন সৰু গাওঁ আছে। ইয়াৰ কাষতে কোনো সময়ত বাৰিষা জাহাজ ৰাখে। কাজলী আৰু মায়ং যদিও প্ৰাচীন কীৰ্ত্তি কলাপেৰে পৰিপূৰ্ণ ঠাই তথাপি ইমান দিনে কোনো লোকে ইয়াৰ সমলোচনা কৰা দেখা নাযায়। মায়ং সম্বন্ধে সৰ্ব্ব সাধাৰণৰ ধাৰণা এই যে ই এখন যাদু মন্ত্ৰ তন্ত্ৰৰ ঠাই আৰু ইয়ালৈ ভোৱা মানুহক ভেৰা, ছাগলি, হাঁহ, পাৰ আদি কৰি পঠায়। সেই কাৰণে মানুহৰ ইয়ালৈ প্ৰায় যাতায়াত নহয়। দ্বিতীয়তে ই নগাওঁৰ এক প্ৰান্তত থকাত আৰু গভীৰ অৰণ্যৰ মাজেদি ইয়ালৈ যাতায়াতৰ তেনে ভাল বাট নথকাত বাহিৰা মানুহৰ প্ৰায় ইয়ালৈ চলাচল নহয়। বৰ্ষাকালত মায়ঙটৈ ভোৱা এটা দুঃসাহসীক কাৰ্য্য মাথোন। মায়ংৰ নিচিনাকৈ কাজলীলৈ যাবলৈকে তেনে কোনো বাট নাই। এনে বিলাক কাৰণত মায়ং কিম্বা কাজলীৰ প্ৰকৃত বুৰঞ্জী জন সাধাৰণৰ আগলৈ নোযোৱাটো একো অপ্ৰাসঙ্গিক নহয়। মায়ং এখন পঞ্চতীৰ্থৰ পৱিত্ৰ ঠাই বুলি হিন্দুৱে মানে।

মায়ং পাহাৰে নানা দেৱ দেৱীৰ মূৰ্ত্তি শিৱত বহন কৰি নগাওঁৰ পশ্চিম প্ৰান্তত আজিকো প্ৰতি খিৰ হৈ থাকি "পৱিৱৰ্ত্তনশীল জগতৰ জাতি সকলৰ উত্থান পতন কৌতুহলেৰে দৰ্শন কৰি যেন অনন্তৰ মহিমা ঘোষণা কৰিছে।"



চুইজাবল্যাণ্ডৰ শ্ৰমিক আন্দোলন

—শ্ৰীযুত হৰেকৃষ্ণ গোস্বামী

ৰৰ্ত্তমান শ্ৰমিক আন্দোলনৰ মূল হৈছে (Industrialism) যন্ত্ৰ-শিল্পৱাদ। এই যন্ত্ৰ-শিল্পৱাদৰ মূলত কি আছে প্ৰশ্নৰ উত্তৰত পণ্ডিত বিলাকে কয় যে মানুহৰ পুনঃ পুনঃ কৰ্ম্মৰ প্ৰেৰণাই ইয়াৰ মূল কাৰণ। সেই আদিম যুগৰ লগে লগেই মানুহৰ মনত একতা বদ্ধ হৈ কাৰ্য্য কৰাৰ ধাউতিয়ে লগ দিছেহি। অবিশ্ৰাম কৰ্ম্ম সাধনাৰ দ্বাৰা মানুহে আত্মোন্নতিৰ মূল সূত্ৰ আৱিষ্কাৰ কৰে। আকৌ কিছুমান পণ্ডিতে কয় যে অৰ্থোপাৰ্জ্জনৰ প্ৰতি মানুহৰ যি ইচ্ছা হয় তাৰ অন্য প্ৰেৰণাই ৰৰ্ত্তমান যন্ত্ৰ শিল্পৱাদৰ ভেটি। মানুহক লাগে অৰ্থ সেই অৰ্থ নিজৰ ভোগবিলাসৰ নিমিত্তে নহয় কেৱল নিজ সমাজৰ হিত সাধনৰ নিমিত্তে আৰু মাতৃভূমিৰ বিপদৰ পৰা ৰক্ষা কৰিবৰ নিমিত্তে হে।

চুইজাবল্যাণ্ডৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধনৰ নিমিত্তে বহু বছৰব্যাপী হোৱা অশেষ চেষ্টাৰ ফলত আজি তাত ৰৱবিধ শ্ৰম শিল্পৰ ভেটি স্থাপন হৈছে। পন্ধদশ শতাব্দীত চুইজাবল্যাণ্ডত ভীষণ অৱকষ্ট উপস্থিত হৈছিল আৰু ই এনেকুৱা অৱস্থাত পৰিছিলগৈ যে চুইজৰিলাকে অন্ন সংস্থানৰ নিমিত্তে উপায় নোপোৱা হৈ শেষত যুৱোপৰ বিভিন্ন ৰাজতন্ত্ৰৰ অধীনত সৈন্য ৰূপে চাকৰী লৈ দেশ ত্যাগ কৰিবলৈ বাধ্য হৈছিল। তেতিয়াৰ পৰা চুইজৰিলাকৰ ভিতৰত নিজ মাতৃভূমিৰ অৰ্থ কষ্ট নিৰাৱণ কৰিবলৈ এক অদম্য চেষ্টা হৈছিল আৰু তাৰ ফলস্ৱৰূপে আজি চুইজাবল্যাণ্ডক জগতৰ অন্যতম শ্ৰেষ্ঠ উৎপাদক দেশ (Manufacturing) country) ইউনাইটেড ষ্টেটৰ লগত তুলনা কৰি পৰা হৈছে। চুইজাবল্যাণ্ডত যন্ত্ৰ শিল্পৱাদ স্থাপন হোৱাৰ পিছত ৪৮৪,০০০ লোকে শ্ৰমশীল কাৰ্য্যত আত্মনিয়োগ কৰে। প্ৰথমতে তেওঁবিলাকে শ্ৰমশীল কাৰ্য্যকে বিশেষ লাভ জনক বুলি ভাবিলে; কিন্তু অলপ দিনৰ ভিতৰত চুইজ সকলৰ বুজিবৰ বাকী নেথাকিল যে তেওঁ বিলাকে মিছাকৈ তাত আত্ম সমৰ্পণ কৰিছে। আগে যে চুইজবিলাকে দিয়াচলাইৰ কলত এক ৰকম বগা ফস্‌ফৰাস (Phosphorus) ভীষণ বিষাক্ত বস্তু ব্যৱহাৰ কৰিছিল। ইয়াক হাতেৰে লাবা চাবা কৰাটো মানুহৰ জীৱনৰ পক্ষে বিপদজনক, এই কাৰণে বহুত চুইজ শ্ৰমিকে কম বয়সতে মৃত্যুৰ গৰাহত পৰে। ইয়াৰ বাহিৰেও চুইজ তিৰোতাৰ ৰাতি কাৰখানাত কাম কৰাৰ বিধান আছিল ইয়াৰ ফলস্ৱৰূপে চুইজ সমাজত পিতৃত্ব পৰিচয়হীন এক দল শিশুৰ ভাব ক্ৰমশঃ বাঢ়ি গৈছিল। ঠিক এই সময়তে চুইজশ্ৰমিক বিলাকে নিজ সমাজৰ ভৱিষ্যতে মঙ্গলকামনা কৰি এটা দল সংগঠন কৰে। আজি কালি ই Labonr protective league." 'শ্ৰমিক ৰক্ষণশীল লিগ্' নামে জনাজাত। এই দলৰ নেতা বিলাকে প্ৰথমে শ্ৰমিক জীৱনৰ মূল মন্ত্ৰ কি তাক সকলোৰে আগত ব্যাখ্যা কৰি দেখুৱায়। তেওঁবিলাকে কয় যে ৰৰ্ত্তমান শ্ৰমজীৱী লোক পাৰ্গত (efficient) মানুহ। তেওঁৰ কাম কৰিবৰ এটা অদম্য শক্তি আছে। অশেষ চেষ্টাৰ ফলত ১৮৭৪ খৃঃ পৰা চুইজাবল্যাণ্ডৰ শ্ৰমিক দলে জগতৰ ইতিহাসত এটা নতুন পোহৰ আনিলে। এইবাৰ চুইজ ষ্টেটে নিজ দেশৰ শ্ৰমিক বিলাকৰ অভাব অভিযোগৰ পিনে বিশেষ নজৰ দিলে, তেওঁবিলাকে প্ৰথমতে এনেকুৱা এখন আইন তৈয়াৰ কৰিলে যে যি মানুহে শ্ৰমিক হবলৈ ইচ্ছা কৰে তেওঁৰ পক্ষে ব্যবসায়ী শিক্ষা বাধ্যতামূলক। তেওঁ বিলাকক পৰিচালনা কৰিবলৈ এক দল বিশেষজ্ঞ কৰ্ম্মচাৰী

মুকলি পথাৰৰ মাজেদি বই খোৱা ৰাইন নদীৰ ওপৰত গ্ৰীষ্মৰ তপত সূৰ্য্য কিৰণ চিকমিক কৰিছিল। কিন্তু তেওঁৰ চকুৰ আগত সকলো ক'লা পৰি গৈছে, আন্ধাৰে আবৰি ধৰিছে। তেওঁৰ সোণামুৱা বাছা যে ঢুকাইছে! তাৰ স্মৃতিয়ে তেওঁক আবৰি ধৰিছে। তেওঁ অনুভৱ কৰিছে, কেছুৱাতে সি কেনেকৈ তেওঁৰ বুকৰ মাজত সাৱটি ধৰি আছিল, কেনেকৈ অকণ অকণ হাত দুখনিৰে তেওঁৰ গা মুখ আচুৰি দিছিল। তাৰ পিছত অলপ ডাঙৰ হলত সি যে কি চঞ্চল লৰা হৈ উঠিছিল! তেওঁ সি লৰি অহাৰ শব্দ শুনা শুনা যেন পাইছিল, তাৰ "আই আই" মাত কাণত পৰা যেন পাইছিল। কিন্তু আজি যে সকলো শেষ হৈছে। সকলো শেষ। সোণামুৱা চিৰকাললৈ গুছি গৈছে। আগেয়ে দুটি ঢুকাই, এই শেষটিত আহি লাগিছিল আজি সিও গুছি গল।

খোলা চিঠিখন তেওঁৰ কোলাত পৰি আছিল। আঙ্গুলীৰে সেইখন লাৰা-চাৰা কৰিব ধৰিলে। পেন্সিলৰ লেখা খিনিৰ ওপৰত তেওঁৰ চকু পৰিল। লাহে লাহে লেখা খিনিৰ অৰ্থ তেওঁ বুজি পালে। চিঠি লেখা লৰাটোই তেওঁৰ বাচাৰ শুৱনী মুখ দেখিছে। তেওঁৰ মৰা মইনাক সি বুকত তুলি লৈছে! অনুতাপত তাৰ মন দেই পুৰি যাব ধৰিছে। সি লেখিছে—"সি আপোনাৰেই লৰা। মই জানো যে আপুনি মোক ক্ষমা কৰিব নোৱাৰে, কাৰণ ময়েই তাক মাৰিছো! মই মাত্ৰ আপোনাক কব খোজো সি কষ্ট নাপালে। একে নিমিষতে সি ঢুকাইছে। বৰ সাহসী সি। বৰ ভালো আছিল হবলা সি নিশ্চয়। আপোনাৰ ছবি তাৰ জেপত আছিল। সেইখন ফিৰাই পঠাইছো। যদিও মোৰ ৰাখিবৰ বৰ ইচ্ছা হৈছিল।

ধৰি লব লাগিব যে সি মোৰ শত্ৰু, কিন্তু ক'তা তেনে কথা দেখোনে মনেদি ভাবি লবই নোৱাৰো। মোৰ প্ৰাণ দিও যদি তাক ফিৰাই আনিব পাৰিলো হেঁতেন, তেন্তে তাকেই কৰিলো হয়। যেতিয়া তাৰ যন্ত্ৰ লক্ষ্য কৰি বোমা মাৰিলো, তেতিয়া তাৰ কথা মনতে নপৰিল; আপোনাৰ কথাও মনত নপৰিল। সি শত্ৰু, আমাৰ সৈন্যবাহিনী চাই ফুৰিছিল। তাক কেনেকৈ ফিৰি গৈ নিজৰ দলক খবৰ দিব দিওঁ? তেনে হলে দেখোন আমাৰ দলৰ মানুহ বিলাক মৰা পৰে। কিন্তু অদ্ভুত সাহস দেখুৱাইছে সি আমি হাবিৰ আঁৰত লুকাই আছিলো। আমাক দেখা পাবলৈ সি বহুত তললৈ নামি আহিব লগীয়া হৈছিল। সি আমাক ফাঁকিদি পলাইছিলেই প্ৰায়। কি কৌশলেৰে যে সি উৰিছিল, একেবাৰে ওস্তাদ। ময়ো ভাবিছিলো যে তাৰ লগত যদি ময়ো একে লগে উৰণ ডোলাত উঠিব পাৰিলোহেঁতেন। কিন্তু সি যে শত্ৰু হ'ল, তাক ধ্বংস কৰিবই লাগিব। বোমা মাৰিলো। একে নিমিষতে সকলো শেষ।

হিৰ মিৰ কৰে যন্ত্ৰটো তলত পৰাত দেখিলো যে তাৰ মূৰত এটা আঘাত লাগিছে। তাৰ মুখত অলপো দুখৰ চিন নাই; আছে অকল উত্তেজনা। আৰু চকু দুটি বৰ উজ্জ্বল, নিৰ্ভীক। মই জানো আপুনি তাক কিমান ভাল পাইছিল। মই যেতিয়া অকণমান তেতিয়াই তথাপি মই মৰিলে তেওঁৰ যে কেনে লাগিল হয় তাক ভাল দৰে বুজিব পাৰোঁ। যুদ্ধ নাৰীৰ কাৰণে বৰ মৰ্ম্মান্তিক—বৰ মৰ্ম্মান্তিক! ই এটা নিদাৰুণ দুঃস্বপ্ন। আপোনাৰ পুত্ৰক এবাৰ চুলেই যেন সি সাৰ পাই উঠিব, আমি দুয়ো বন্ধু হৈ যাম; মোৰ এনেকুৱা লাগিছে। আপুনি চিন্তা নকৰিব, তাৰ দেহৰ অযত্ন নহয়। তাৰ সমাধিটি সৰু ক্ৰশ এডালেদি চিন দি থম। যুদ্ধৰ পাছত আপুনি তাৰ শ ঘৰলৈ লৈ যাব পাৰিব। আহা! সেই দেহ আপোনাৰ যে কিমান প্ৰিয় তাকতো মই জানোই!

আজিয়ে এই প্ৰথম বোধ কৰো মোৰ আই জীয়াই নথকা দেখি যেন অলপ আনন্দ অনুভৱ কৰিছোঁ। কাৰণ মই যি কৰিছো তাক তেওঁ সহ্য কৰিব নোৱাৰিলে হ'ব। ই বৰ দুখ, বৰ দুখ, দুখৰ ভৰত মোৰ মন ভাঙ্গি গৈছে।

মনে মনে ভাবিছিলো, কৰ্ত্তব্য কৰিছোঁ। কিন্তু এতিয়া আপোনাৰ লৰাৰ মৃত দেহ যেতিয়া মোৰ আগত দেখিছো আৰু হাতত আপোনাৰ ছবি, তেতিয়া এইবিলাক বৰ অন্যায় আৰু নিষ্ঠুৰ বুলি বুজিব পাৰিছো। মোৰ আগত জগৎখন আন্ধাৰ হৈ গৈছে। আই মোৰ! অলপ

মান মোৰো আই হ'ক! আৰু কৈ দিয়ক এতিয়া মই কি কৰিম!—হিউ।"

লাহে লাহে তেওঁৰ গালেদি অশ্ৰুবিন্দুৰ ডাঙ্গৰ ডাঙ্গৰ টোপাল সৰি পৰিব ধৰিলে। কোন দৈত্যই মানুহক এনেদৰে পিহি পেলাইছে? তেওঁৰ লৰা! এই এটা যে অইন লৰা, ইহঁত দেখোন একে ৰকমৰে। সিহঁতৰ মনততো হিংসা নাই। অথচ সিহঁতৰ দুখৰ লগত গোটেই জগতে দুখ পাইছে। তেওঁৰ দেশে পেটৰ ভোক গুচাব পৰা নাই। কেউফালৰ কেছুৱা বিলাকে অলপ গাখীৰৰ অভাৱত দিনে দিনে ক্ষীণ, দুৰ্ব্বল হৈ যাব ধৰিছে। এই কথা তেওঁ এই ইংৰাজ লৰা টোক কেনেকৈ কয়? তাৰতো বুক ভাঙ্গি যাব! কিয় ইমান দুখ? ইয়াৰ কি আৱশ্যক? ইয়াৰ কাৰণে জানো সি দোষী? সেই ইংৰাজ লৰাটোৰ মাক নাই তেওঁ নিজেই তো তাৰ কথা আৰু তাৰ দৰে যি অইন বিলাক আছে সিহঁতৰ কথা ভবা নাই। তেওঁৰ ঘৰ, তেওঁৰ লৰা, তেওঁৰ স্বদেশ, এয়েতো তেওঁৰ পক্ষে যথেষ্ট আছিল। ইয়াৰ বাহিৰেতো আৰু কাৰো কথা মনলৈ অহা নাছিল! কিন্তু প্ৰত্যেক জীৱন, অন্য প্ৰত্যেক জীৱনৰ লগত যে এক সূত্ৰে বন্ধা আছে। মাতৃত্ব যে শাশ্বত।

হঠাৎ তেওঁৰ মনত পৰিল—কি কৰিব লাগে। সেই দুঃখক্লিষ্ট ইংৰাজ লৰাটোক তেওঁ কি সান্ত্বনা দিব। তেওঁ লিখিলে "বাঁচা ক্ষমা কৰিবৰ একোৱেই নাই। তোমাৰ ক্ষমা খুজিবৰ দৰকাৰো নাই। তুমি যে কেনে তাক মই বুজিব পাৰিছো, তোমাৰ মনৰ ব্যথা মই অনুভৱ কৰিছোঁ। তুমি ঠিক এটা সৰু লৰাৰ দৰে। ভাল বুলি কিবা কৰিবলৈ গৈ, বেয়াকৰি পেলাই চকখাই যেন মোৰ ওচৰলৈ লৰি আহিছা। তুমি যেন মোৰ হে লৰা! তুমি মোৰ আৰু এটি লৰাৰ কাৰণে যি কৰিছা তাৰ কাৰণে বৰ সুখ পালো। বোপা! তাৰ দেহ তোমাত বাহিৰে অইন কোনেও চুব পৰা নাই,—এইটো বৰ ভাল হৈছে। সি মোৰ সবাতোকৈ সৰু আছিল। দেখিছাই নহয় সি কেনে সুকোমল। তুমি তাক মাৰি পেলাইছা। তোমাৰ অনুতাপ মই অনুভৱ কৰিব পাৰিছো। আমি নাৰী। আমাৰ মনত মাতৃত্ব মিছা নহয়। কাৰণ সকলো মানুহৰেই দেখোন আমিয়ে জননী। সেয়েহে যুদ্ধ এক মহা নিষ্ঠুৰ ৰাক্ষস তথাপি তো এই বিশ্বব্যাপী যুদ্ধৰ কাৰণে পুৰুষতকৈ নাৰীয়েতো বেছি জগৰীয়া। জগতৰ সন্তানবিলাকৰ কাৰণে তো আমি ভবা নাই। যি বিলাক অকণি অকণি হাতে আমাক বুকত সাৱটি ধৰিছিল, সিবিলাক কিমান মধুৰ। আৰু যে শত শত অকণি২ হাতে বাহুমেলি আমাৰ ফালে চাই আছে। কিন্তু পৃথিৱীতো কাকো নাপাহৰে; তেওঁ দেখোন সকলোকে পালন কৰে। তেৱেঁইতো আছল জননী। এতিয়া মোৰ অন্তৰো অনুতাপত দগ্ধ হব ধৰিছে। আজি এনেহে লাগিছে যেন তোমাৰ মূৰটো মোৰ বুকৰ মাজত সাৱটি ধৰিম; মোৰ মাজেদি গোটেই বিশ্বৰ লগত থকা তোমাৰ আত্মীয়তা অনুভৱ কৰাম। মোক সহায় কৰা বোপা—মোৰ হাতত ধৰা। তোমাক দেখোন মোৰ আৱশ্যক। বিশ্বময় একতা আৰু প্ৰেমৰ প্ৰতিষ্ঠা কৰা। যুদ্ধ শেষ হলে যিদিনা তুমি মোৰ ওচৰলৈ আহিবা সেই দিনলৈ মই দিনগণি থাকিলো—তোমাৰ জননী।" *

* Madeleine Doty ৰ ইংৰাজীৰ পৰা।—লিখক



কামৰূপৰ তীৰ্থ-বিবৰণ

—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দ চন্দ্ৰ আগৰৱালা

৯

"কালিকা পুৰাণত" আছে,—

উৰ্ব্বশীত যথাবিধি স্নান, পাণ্ডুশিলা স্পৰ্শন আৰু নীলকূটত আৰোহণ কৰিলে মানুহৰ আকৌ পুনৰ্জ্জন্ম নহয়। "হে উৰ্ব্বশি, তুমি ইন্দ্ৰৰ প্ৰিয়া, বাৰানসীতকৈও অধিক ফলদায়িনী আৰু লৌহিত্য-হ্ৰদৰ লগত সঙ্গতা, তুমি আমাৰ পাপ নাশ কৰা।" এই দৰে স্তুতি মন্ত্ৰ মাতি উৰ্ব্বশীৰ জলত স্নান কৰি মানুহে সকলো প্ৰকাৰ পাপৰ পৰা মুক্ত হৈ বিষ্ণু-লোকত বিৰাজ কৰে। উৰ্ব্বশী দ্বিভূজা, সুবৰ্ণ কঙ্কনধাৰিণী, অমৃত স্ৰাৱণৰ কাৰণে তেওঁৰ হাতত এটি সুবৰ্ণৰ পাত্ৰ আছে। তেওঁ, শুক্লবস্ত্ৰা গৌৰবৰ্ণা, পীনোন্নতপয়োধৰা, সৰ্ব্বাঙ্গসুন্দৰী, শুদ্ধা, আৰু সৰ্ব্বাভৰণভূষিতা।

উৰ্ব্বশী

কামাখ্যা পৰ্ব্বতৰ পূব দুৱাৰত গণেশ আৰু অগ্নিবেতাল আছে। ভস্মকূট বা উমানন্দ পৰ্ব্বতৰ দক্ষিণে যমৰ প্ৰতিমূৰ্ত্তিধাৰী কৰ্পট নামে পৰ্ব্বত আছে। তাতে নীলাঞ্জনৰ নিচিনা কৃষ্ণবৰ্ণৰ যামা শিলা আছে। সেই শিলাত যমক পূজা কৰিব লাগে। কৰ্পট পৰ্ব্বতৰ পূবে চিত্ৰ নামে পৰ্ব্বত আছে। এই চিত্ৰশৈলত নৱগ্ৰহ বাস কৰে।

কৰ্পট শৈল

"এবং চিত্ৰে শৈলবৰে পূজয়িত্বা নৱগ্ৰহান্।
অভীষ্টান্ লভতে কামান্নৰঃ শান্তিং তথোত্তমাম্॥"

মানুহে চিত্ৰশৈলত যথাবিধি নৱগ্ৰহৰ পূজা কৰি অভীষ্ট সিদ্ধি আৰু উত্তম শান্তি লাভ কৰে।

চিত্ৰ শৈল

চিত্ৰ পৰ্ব্বতৰ পূবে কজ্জল বা কাজল নামে এটি উত্তম পৰ্ব্বত আছে। তাত বিদ্যাধৰ আদি সকলোপ্ৰকাৰ দেৱযোনি বাস কৰে। সেই পৰ্ব্বতত উঠি দেৱতা সকলৰ উদ্দেশে নমস্কাৰ কৰিব লাগে, সেই পৰ্ব্বতৰ কাষেদি কপিলী নদী বৈ যোৱাত সেই নদীক কাজলী আৰু নদীৰ মুখক কাজলী মুখ বোলে। কাজল পৰ্ব্বতৰ পূৱে শুভ নামে এটি পৰ্ব্বত আছে। সেই পৰ্ব্বতত পূৰ্ব্বে সুৰেশ্বৰ ইন্দ্ৰই শচীৰ লগত ক্ৰীড়া কৰিছিল।

কজ্জল শৈল
শুভ শৈল

"তৎ পূৰ্ব্বস্যাং মহাদেবী নদী কপিলগঙ্গিকা।
তস্যাং স্নাত্বা নৰো গঙ্গাস্নানজং ফলমাপ্নুয়াৎ॥"

শুভ পৰ্ব্বতৰ পূবে কপিল গঙ্গা নদী আছে; তাত স্নান কৰিলে ফল পোৱা যায়।

কপিলগঙ্গা

"কামাখ্যানিলয়াৎ পূৰ্ব্বং দক্ষিণস্যাং তথা দিশি।
বিদ্যতে মহদাৱৰ্ত্তং ভুবি ব্ৰহ্মবিলং মহৎ॥"

কামাখ্যা পীঠৰ পূব আৰু দক্ষিণ দিশে এটি মহৎ আবৰ্ত্ত আছে। তাৰ পৰিমাণ পঁচিশ যোজন। সেই আৱৰ্ত্তৰ পৰাই পূৰ্ব্বোক্ত শ্বেতবৰ্ণ মেঘৰাশিৰ নিচিনা নদীখন বৈ আহিছে। দেৱতাসকলে "ক" শব্দৰ অৰ্থ ব্ৰহ্ম বুলি নিৰ্দ্ধাৰণ কৰিছে। সেই নিমিত্তে সেই ব্ৰহ্মাবৰ্ত্ত বা ব্ৰহ্মবিলৰ পৰা ওলাই অহা বাবে আৰু গঙ্গাৰ নিচিনা ফল দান কৰে গুণে, সেই নদীৰ নাম কপিল গঙ্গা হৈছে।

কপিল-গঙ্গা

পাণ্ডুনাথৰ নৈঋত কোণত পাঁচধনু পৰিমিত অশ্বত্থ চিহ্নিত যি ক্ষেত্ৰ আছে, তাৰ নাম ধৰ্ম্মক্ষেত্ৰ তাত জপতপ কৰা কৰ্ত্তব্য। সেই ক্ষেত্ৰত আৰোহণ কৰিলে কুৰুক্ষেত্ৰৰ নিচিনা ফল পোৱা যায় বুলি "যোগিনীতন্ত্ৰত" লিখা আছে।

ধৰ্ম্মক্ষেত্ৰ

পাণ্ডুনাথৰ পূবে এক ধনু পৰিমিত যি মনোহৰ চাৰুশিলা আছে, তাকে লক্ষ্মী বুলি জানি অৰ্চ্চনা কৰিব লাগে। বিষ্ণুকুণ্ডত স্নান কৰি লক্ষ্মীক পূজিব। তাৰ দক্ষিণ ফালে অলপ দূৰত কোলক্ষেত্ৰ আছে। এজোপা আশথ গছৰ তলত এটা কৃষ্ণবৰ্ণ সুন্দৰ শিল আছে। সেই শিলকে দেৱেশ্বৰ বিষ্ণু বুলি পূজাৰ্চ্চনা কৰিব।

ব্ৰহ্মকূট বা ভুবনেশ্বৰী পৰ্ব্বতৰ উত্তৰে দুই ধনু পৰিমিত শ্ৰীকুণ্ড নামে সৰোবৰ আছে। চ'ত মাহৰ শুক্লা দশমীত আৰু কৃষ্ণপক্ষৰ একাদশীত সেই কুণ্ডত স্নান কৰিলে উত্তম গতি লাভ হয়। তাৰ পূবে ২২ ধনু পৰিমিত কনখল নামে মহাপাতক নাশন তীৰ্থ আছে। তাৰ দক্ষিণে চাৰি ধনু দূৰত পৰ্ব্বতত চম্পকেশ্বৰ তীৰ্থ। তাৰ পূবে সাত ধনু পৰিমিত ত্ৰৈলোক্যবিখ্যাৎ পৰমেষ্ঠী ব্ৰহ্মাৰ পুষ্কৰ নামে তীৰ্থ।" "যোগিনী তন্ত্ৰত লিখা আছে যে দেৱতাসকলে এই পুষ্কৰ তীৰ্থত পৰমেষ্ঠী ব্ৰহ্মাক উপাসনা কৰি থাকে। তাত স্নান কৰিলে মানুহে মুক্তিলাভ কৰে। ইয়াক মেৰু-পুষ্কৰ বুলিও কয়।

কনখল পুষ্কৰ

পুষ্কৰৰ নৈঋত কোণত কিঞ্চিৎ বাওঁফালে ২৮ ধনু পৰিমিত বদৰিকাশ্ৰম তীৰ্থ। তাত নাৰায়ণক যথাবিধি পূজা কৰিলে সহস্ৰ গোদানৰ ফল পোৱা যায়। তাত বিভাণ্ডক ঋষিয়ে স্থাপন কৰা মহেশৰ এক লিঙ্গ আছে। পুষ্কৰৰ পূবে কুমাৰ নামে সৰোবৰ আছে। তাত স্নান কৰিলে গাণপত্য লাভ হয়। কুমাৰ তীৰ্থৰ অগ্নিকোণত নৰনাৰায়ণ তীৰ্থ। মানুহে তেওঁক দৰ্শন কৰিলে সকলো পাপৰ পৰা মুক্ত হয়। পূৰ্ব্বে যি চম্পকেশ্বৰৰ কথা কৈ আহিছোঁ তাৰ উত্তৰে ৬২ ধনু পৰিমিত চম্পকবন; সিদ্ধ আৰু ব্ৰহ্মৰ্ষিসকলে সদায় সেই বন সেৱা কৰি থাকে; পূৰ্ব্বে পুৰুষোত্তম কিষ্ণুৰ তাত আয়তন আছিল।

বদৰিকাশ্ৰম

ব্ৰহ্মকূটৰ উত্তৰফালে পাঁচোটা শিলৰ মাজত দুৰ্গাকূপ আছে। ইয়াৰ সকলোপিনে দুৱাৰ আছে। দশাক্ষৰ মন্ত্ৰ মাতি ইয়াত স্নান কৰিব লাগে। তাত কামেশ্বৰী দেবীক পূজিলে কামনা সিদ্ধি হয়। দুৰ্গাকূপৰ পূবে আম্ৰাতকেশ্বৰদেৱ। তেওঁৰ দক্ষিণে গজাকাৰ কৃষ্ণবৰ্ণ গণনায়ক। তেওঁৰ এক ধনু পূবে ত্ৰিবিক্ৰম দেৱ। তাৰ পাছত ২৪ ধনু পৰিমিত সৌভাগ্য নামে সৰোবৰ। সেইটো কামাখ্যা দেবীৰ ক্ৰীড়া কৰা পুখুৰী।

দুৰ্গাকূপ

সৌভাগ্য সৰোবৰ

"ক্ৰীড়া-পুষ্কৰিণী সাতু কামাখ্যায়াঃ সুৰেশ্বৰী।
শক্ৰেনোপাসিতং পূৰ্ব্বং সহদেৱৈঃ প্ৰজাপতিঃ॥"

—যোগিনীতন্ত্ৰ।

পূৰ্ব্বে ইন্দ্ৰই দেৱতা সকলেৰে সৈতে সেই সৰোবৰত পূজা কৰিছিল। সৌভাগ্য সৰোবৰত স্নান কৰি কামাখ্যাৰ পূজা কৰিব লাগে ইয়াৰ ঈশান কোণত লৌহিত্য নামে সৰোবৰ। তাৰ ওচৰত অগ্নিকুণ্ড, কালহস্ত আৰু যামল নামে সৰোবৰ তাৰ নৈঋত কোণত পাঁচ হাত পৰিমিত গঙ্গা সৰোবৰ। তাৰ ওচৰতে অনন্তকুণ্ড আৰু তাৰ ওপৰত যি কৃষ্ণবৰ্ণ শিলা আছে সেয়ে বৰাহকুণ্ড

মন্ত্ৰাচলক আজিকালি ইটাখুলী বোলে। এই মন্ত্ৰাচলত দৈত্যগুৰু শুক্ৰই স্থাপন কৰা শিবলিঙ্গৰ নাম শুক্ৰেশ্বৰ। "যোগিনী তন্ত্ৰ'ত আছে;—

শুক্ৰেশ্বৰ

"কলি দ্বাপৰয়োঃ সন্ধৌ ধনুৰৰ্দ্ধপ্ৰমাণতঃ।
শুক্ৰেন স্থাপিতং লিঙ্গং শুক্ৰেশং নামতঃ শ্ৰুতং।
দেৱং শুক্ৰেশ্বৰ দৃষ্ট্বা কেন মুচ্যতে বন্ধনাৎ॥"

এই মন্ত্ৰাচলৰ পশ্চিমে অগস্তিক্ষেত্ৰ। তাত বোধ জনাৰ্দ্দন আছে। তেওঁ থকা পৰ্ব্বতক কল্কি পৰ্ব্বত বুলিও কয়। অগস্তি ক্ষেত্ৰৰ ঈশান কোণত কলি পৰ্ব্বত। তাত কলিৰ মূৰ্ত্তি আছে। তালৈ গলে সকলো পূণ্য ক্ষয় হয় বুলি তাক কৰ্ম্মনাশা বোলে।

কৰ্ম্মনাশা

মঙ্গলা বা সুমঙ্গলা নদীক আজিকালি বৰনদী বোলে। বৰনদীৰ পূবে ধনদা ধনিষ্ঠ, বা ধনশিৰী নৈ। ৰৌটা আৰু ধনশিৰী নৈ দুফালৰ পৰা কুল্ কুল্ কৰি শিলৰ ওপৰেদি বৈ আহি যি ঠাইত লগ লগিছে, সেয়ে ভৈৰব-কুণ্ড। "দৰঙ্গ-ৰাজ-বংশাৱলী" পুথিত লিখা অছে যে যেতিয়া মহাৰাজ নৰ নাৰায়ণ আৰু তেওঁৰ ভায়েক চিলাৰায়ে অসম আক্ৰমণ কৰিবলৈ আহে, তেতিয়া তেওঁলোকে ভৈৰব-কুণ্ডৰ ওচৰত কিছুদিন বাস কৰি তাত এক দুৰ্গ আৰু নগৰ নিৰ্ম্মাণ কৰাই চণ্ডিকা দেবীৰ মঠ প্ৰতিষ্ঠা কৰিছিল; ত্ৰিশূলদৈ বা দৈপাং নৈৰ পূৱে দেবীৰ মঠ আছিল। উক্ত পুথিত আছে,—

ভৈৰব-কুণ্ড

"অনন্তৰে ভ্ৰামৰী কুণ্ডক গৈয়া পাইলা।
দোনদীৰ মুখে ৰাজা নগৰ সজাইলা॥
পৰ্ব্বতৰ শিল আনি গড়ক নিৰ্ম্মিলা।

চণ্ডিকা বেহাৰ হেন নগৰ কৰিলা ॥
ত্ৰিশূলদৈৱ পূৰ্ব্বে দেৱী গৃহ অনুপাম ।
* * * *
মঠ আদি বহু যত্নে নৃপতি নিৰ্ম্মিলা ।
দেৱীৰ প্ৰতিমা আনি তাহাত থাপিলা ॥"

ইয়াত দো নদীৰ মুখ হৈছে ৰৌটা আৰু ধন শিৰীৰ মুখ। ভৈৰৱ হৈছে—মহাভৈৰৱ, আৰু ভৈৰৱী—ভ্ৰামৰী দেৱী। সেই বাবেই পুথিত ভৈৰৱ-কুণ্ড নুবুলি ভ্ৰামৰী-কুণ্ড বোলা হৈছে। এই তীৰ্থ ওদালগুৰিৰ পৰা ১০ মাইল উত্তৰে।

ভৈৰৱ কুণ্ডৰ পৰা পূব-দক্ষিণ মুখে গলে ব্ৰহ্ম পুত্ৰৰ পাৰত শৃঙ্গাটক বা শিঙ্গৰি পৰ্ব্বত পোৱা যায়। কালিকা পুৰাণত ৮০ আধ্যায় লিখা আছে যে শৃঙ্গাটক পৰ্ব্বতত মহাদেৱৰ এটি লিঙ্গ প্ৰতিষ্ঠিত আছে ; সেই পৰ্ব্বতৰ পৰা সিদ্ধ ত্ৰিসোতা নামে নৈ দক্ষিণলৈ বৈ গৈছে। সেই নদীৰ জলত স্নান কৰি শৃঙ্গাটক পৰ্ব্বতত উঠি লিঙ্গৰূপী শঙ্কৰৰ পূজা কৰিলে মুক্তি লাভ হয়। শিঙ্গৰি পৰ্ব্বতৰ ওপৰত এতিয়া কোনো শিৱলিঙ্গ বা মন্দিৰ নাই। কিন্তু পৰ্ব্বতৰ পশ্চিম দাঁতিত শিল আৰু ইটাৰে নিৰ্ম্মাণ কৰা অতি পুৰণি মন্দিৰ আছে। মন্দিৰৰ ভিতৰত যি শিৱ লিঙ্গ আছে তেওঁক গোপেশ্বৰ বোলে। এই মন্দিৰ চালে প্ৰাচীন কালৰ শিলাকুটীৰ কাৰুকাৰ্য্য দেখি মোহিত হব লাগে। এনে প্ৰবাদ আছে যে এই পৰ্ব্বতত একৰকম কালি ঋষ্যশৃঙ্গ মুনিৰ আশ্ৰম আছিল।

শৃঙ্গাটক বা শিঙ্গৰি পৰ্ব্বত

শিঙ্গৰিৰ পূবে বিল্ববেদিকা বিল্বশ্ৰী বা বেলশিৰী নৈ। তাৰ পৰা গৈ দীৱতী বা দীওপোতা নৈ পোৱা যায়। তাৰ পাছত—

"ততো ভট্টাৰিকা নাম হিমশৈল সমুদ্ভৱা।
মহানদী দেৱগণৈৰ্যা সদোপাস্যতে সুখম ॥
তস্যাং যঃ কুৰুতে স্নানং যুগাদিমুচতুৰাপ।
স যাতি পৰমং স্থানং তদ্বিষ্ণোঃ পৰমং পদম ।।
—"কালিকা পুৰাণ," ৮০ আধ্যা

ভট্টাৰিকা বা জীয়া ভৰলী

হিমালয়ৰ পৰা ওলোৱা ভট্টাৰিকা নামে মহানদী। দেৱতা সকলে পৰম সুখে এই নদীৰ জল সেৱা কৰি থাকে ; যি মানুহে চাৰিটি যুগাদ্যা তিথিত সেই নদীত স্নান কৰে তেওঁৰ পৰম পদ বিষ্ণুলোকলৈ গতি হয়।

এই ভট্টাৰিকা নদীৰ বৰ্ত্তমান নাম জীয়া ভৰলী। আগেয়ে এই নৈখন ভোমৰা গুৰি পৰ্ব্বতৰ পূবে সিদ্ধাশ্ৰম বা চ্যবন শ্ৰমৰ কাষেদি বৈছিল। সেই আশ্ৰমৰ ওচৰতে কন্যাকা নামে প্ৰসিদ্ধ গাওঁ আছিল। সেই নদীয়ে কন্যকাগাওঁ ভাঙ্গি উছন কৰি এতিয়া ভালে খিনি উজাই পানপুৰৰ ওচৰেদি বৈ লুইতত পৰিছে।

তেজপুৰ নগৰৰ পূব মূৰে ভৈৰৱী আৰু পশ্চিম মূৰে মহাভৈৰৱ দেৱালয় আছে। তেজপুৰৰ বামুণী পৰ্ব্বত আৰু তাৰ কাষৰ পৰ্ব্বত বিলাকৰ নাম পূৰ্ব্বে দেৱীকুট আছিল। দেৱীকুটেই শোণিতপুৰ। বামুনী নামটো ব্ৰহ্মাণী শব্দৰ অপভ্ৰংশ বুলি বোধ হয়। "কালিকা পুৰাণ"ৰ অষ্টাদশ অধ্যাত লিখা আছে,—

ভৈৰী বা মহাভৈৰৱ

"দেৱীকুটে পাদযুগ্মং প্ৰথমং ন্যপতং ক্ষিতৌ অৰ্থাৎ সতীৰ পদ দুটি প্ৰথমতে পৃথিৱীৰ দেৱীকুটত পৰিছিল। দেৱীকুটৰ যি ঠাইত এতিয়া ভৈৰৱী দেৱালয় আছে। তাত এটি পদ আৰু ৰামুনী পৰ্ব্বতৰ আন পদটি পৰি ছিল বুলি জনশ্ৰুতিৰ পৰা জনা যায়। ভৈৰৱীৰ নাম মহাভাগা আৰু ভৈৰৱৰ নাম মহাভৈৰৱ। ভৈৰৱী দেৱালয় এখন মহাপীঠ।

ভোমোৰাগুৰি পৰ্ব্বতৰ পূবে কন্যাশ্ৰম। তাৰ কথা পূৰ্ব্বে কোৱা হৈছে। কন্যাশ্ৰমত ৰুদ্ৰপদ তীৰ্থ আছে।

"কন্যাশ্ৰমং মহাক্ষেত্ৰং যত্ৰ ৰুদ্ৰপাদদ্বয়ং।
"একাম্ৰকং পৰং ক্ষেত্ৰং যত্ৰ নাগাক্ষ শঙ্কৰঃ ॥
—যোগিনী তন্ত্ৰ।

নাগাক্ষশঙ্কৰক নাগশঙ্কৰ বোলে। নাগাক্ষ নামে লৌহিত্য বংশী এজন ব্ৰাহ্মণ ৰাজাই তৃতীয় শকাব্দৰ পিছত নাগশঙ্কৰ দেৱালয় প্ৰতিষ্ঠা কৰে।

তেজপুৰৰ পৰা ১২ মাইল উত্তৰ পূবে জামুগুৰি হাট। তাৰ পৰা অলপ দূৰ উত্তৰ পশ্চিম মুখে গলে নন্দিকেশ্বৰ দেৱালয় পোৱা যায়। এই পীঠৰ দেৱী নন্দিনী, ভৈৰৱী—নন্দিকেশ্বৰ।

তেজপুৰৰ ঔগুৰি পৰ্ব্বতত ভৈৰৱপদ আৰু তিঙ্গেশ্বৰ দেৱালয় আছে। ধেনুখনা পৰ্ব্বতৰ আৰু গণেশ ঘাটত গণেশৰ শিলত কটা মুৰ্ত্তি আছে। তিঙ্গদেৱ নামে ভগদত্তৰ বংশৰ শেষ ৰজা জনে তিঙ্গেশ্বৰ শিৱৰ দেৱালয় স্থাপন কৰিছিল।

তেজপুৰৰ উত্তৰে দফলা পৰ্ব্বত মালাৰ ভিতৰত শঙ্কৰৰ মহাশ্ৰম নাটক পৰ্ব্বত আছে। নাটক পৰ্ব্বতৰ বিষয়ে কালিকা পুৰাণত যি লিখা আছে তাক পূৰ্ব্বে কোৱা হৈছে। এই নাটক পৰ্ব্বতৰ নামনিত মানসা সৰোবৰোৰ নিচিনা এটি মনোহৰ সৰোৱৰ আছে। তাত ৰঙা পদুম ফুলি থাকে। অসংখ্য নানা বৰণৰ হাঁহ চৰে। সম্প্ৰতি বালিপাৰা ফ্ৰণ্টয়াৰ ট্ৰেক্টৰ পলিটিকেল অফিচাৰ ছাহাবৰ হেডক্লাৰ্ক শ্ৰীযুত দ্বাৰিকা নাথ দাস মহাশয়ৰ এখন চিঠিৰ পৰা জানিব পাৰিছোঁ যে বুৰি নৈৰ পূবে ঠিক তৈয়ামৰ শিতানত গৰুচুকীয়া পৰ্ব্বত বৰ্ত্তমান দফলাগড় বাগিচাৰ উত্তৰ পূবে। ইয়াৰ এখণ্ডক সোন পৰ্ব্বত আৰু এখণ্ডক দেও পৰ্ব্বত বোলে ; দফলাবোৰৰ মাজত কিংবদন্তি আছে যে সোন পৰ্ব্বতৰ বহুত ধন সোণ ৰূপৰ বহুমূলীয়া গহনা কাঁহি বাটি আদি ৰাখিছিল ; এতিয়া তাত দেও লাগিছে ; কোনো নেযায় আৰু বোলে যাবও নোৱাৰে। তাৰ পৰা এদিনৰ বাটত মপপ দফলা গাওঁ ; তাৰ পৰা আকৌ এদিনৰ বাটত উত্তৰ পূবে বৰ পানী নৈৰ ফালে পৰ্ব্বতৰ ওপৰত এখন প্ৰকাণ্ড বিল আছে। নাম গেক্কীৰ ছেল্যেক ; ইয়াত বোলে বৰ বৰ মাছ আছে ; অসংখ্য নানা বৰণৰ বনৰীয়া হাঁহ আৰু পাৰত হৰিণা, বাঘ, ভালুক, আদি বনৰীয়া জন্তু আছে। ইয়াৰ পাৰত তাহানিয়েই কোনোবাই পতা এখন বাৰী আছে তাত বছৰি বছৰি জলকীয়া লাউ কোমেৰা আদি লাগি থাকে ; কিংবদন্তি আৰু দফলাহঁতৰ গভীৰ বিশ্বাস যে ইয়াৰ এমাইল মানৰ ওচৰত কোনাবাই হাই উৰুমি কৰিলে অতি অলপ সময়ৰ ভিতৰতে বৰ ধুমুহা বতাহেৰে সৈতে বৰষুণ আহে ; দেও লগা ঠাই বুলি দফলাহঁতে দূৰৈৰ পৰা নমস্কাৰ কৰে ; তালৈ কোনো নেযায়। এই গেক্কীৰ ছেল্যেক বিলখনেই "কালিকা পুৰাণৰ লিখা নাটক পৰ্ব্বতৰ নামনিৰ সৰোবৰ হব পায়। এই বিলৰ পৰা এদিনৰ বাটৰ দূৰৈত বৰপানী নৈৰ উত্তৰে ইটা নামে এটা পৰ্ব্বত আছে ; এই পৰ্ব্বতটো দক্ষিণৰ ফাললৈ ওখ উত্তৰৰ ফাললৈ ক্ৰমে হেলনীয়া ; ইয়াত কেইবা একৰ জুৰি তিনি ফালে দেৱালৰ ধ্বংসাৱশেষ আছে ; ঠায়ে ঠায়ে ৩।৪ ফুট ওখ হৈ এতিয়াও আছে। শ্ৰীযুত দ্বাৰিকা নাথ দাসে পূব দুৱাৰে সোমাই পশ্চিম দুৱাৰে ওলাই আহিছিল। ইয়ে কোন কাহানিৰ কোনো ৰজাৰ নে দেৱতাৰ আলয় নে দুৰ্গ তেখেতে ঠিক কৰিব নোৱাৰিলে। চাৰিওফালে পৰ্ব্বতশাৰীয়ে বেঢ়ি থকা এই সুৰম্য ঠাইত ইটাৰ প্ৰাচীৰ দেখি তেখেতে বিস্ময় মানিলে, সম্ভৱতঃ এয়েই কালিকা পুৰানৰ নাটক পৰ্ব্বত। তেখেতে লিখিছে যে চাৰি দুৱাৰৰ পৰা ভালুকপেং ২০ মাইল (বালিপাৰা ডাকঘৰৰ পৰা ২৪ মাইল) ; চাৰি দুৱাৰৰ পৰা ৭ মাইল উত্তৰে দাফলী মৰা সোণাই পায় ; তাৰ আধামাইলমান উত্তৰে বাটৰ পথলিয়াকৈ মাটিৰ তলত এখন ইটাৰ দেৱাল থকা দেখা যায়। চাৰি দুৱাৰৰ ভালুকপেঙ্গলৈ এজনী চৰাই পোনে উৰি গলে (as the crow flies) ৬ মাইলমান আঁতৰৰ হাবিৰ মাজত, বৰ্ত্তমান চিংলিমৰা গাৱঁৰ পথাৰৰ পৰা ৩ মাইল মান উত্তৰে গুঁই নেজীয়া পৰ্ব্বতৰ নামনিত এঠাইত এটা অতি পুৰণি পকীঘৰ বা দুৰ্গৰ চিন পোৱা যায়। ইয়াৰ ওচৰতে হাবিৰ মাজত বহুত ইটা দ'ম হৈ থকা এটা প্ৰকাণ্ড ইটাভটা দেখা গৈছিল। এই বোৰৰ আঁতি-গুৰি কি জানিব পৰা নাই। সোমপাল ৰাজাৰ পোষ্যপুত্ৰ ভালুকপেং বা প্ৰতাপসিংহই প্ৰতাপগড়ত ৰাজত্ব কৰিছিল। ভালুক দুৱাৰত অঁকা পৰ্ব্বতৰ দাঁতিত তেওঁৰ যি দুৰ্গ আছিল তাৰ নাম ভালুকপেং বা ভালুকপুং দুৰ্গ। তাত তেওঁৰ পিতাৰ স্থাপিত শিৱ মন্দিৰ আছিল। তেওঁক শিৱবীৰ্য্য সম্ভূত বুলি কয়। কিন্তু আচলতে লৌহিত্য-বংশৰ এজন শৈৱ কোৱঁৰে সোমপাল ৰাজাৰ কন্যা এগৰাকীক হৰি নি ভালুক দুৰ্গত বাস কৰিছিল! তাতে প্ৰতাপসিংহৰ জন্ম হয়! ভালুক দুৰ্গত জন্মহোৱা বাবে বা তেওঁক ভালুকপেং বুলিও কয়! প্ৰতাপসিংহৰ শিলা লিপি বিশ্বনাথৰ উমা-টুমনি বা উমা-বনত আছে।

—ক্ৰমশঃ

নাটক পৰ্ব্বত

ভালুক পেং

বিশ্ব-প্ৰৱাহ

শৰীৰ সাধনাত আন দুজন অসমীয়া ডেকা

শ্ৰীযুত হৰি প্ৰসাদ ৰাজখোৱা আৰু শ্ৰীযুত কমৰুদ্দিন আহ্মদ দুজন উঠি অহা অসমীয়া ডেকা। দুয়োজনেই কটন কলেজৰ ছাত্ৰ। তেওঁলোকে আজি



শ্ৰীযুত হৰি প্ৰসাদ ৰাজখোৱা

প্ৰায় ৬।৭ বছৰ শৰীৰ চৰ্চ্চা কৰি যথেষ্ট উন্নতি লাভ কৰিছে। শ্ৰীযুত ৰাজখোৱাই তেওঁৰ ছুৰী খেল (Dagger play) আৰু শৰীৰ সাধনাৰ কৃতিত্বৰ কাৰণে কেইবাটিও পদক লাভ কৰিছে। বৰ্ত্তমান তেওঁ কটন কলেজৰ এই বাৰ প্ৰতিষ্ঠীত 'ব্যায়ামাগাৰৰ (Gymnasium) চেক্ৰেটৰী। শ্ৰীযুত আহ্মদ মাল যুজত অতি পাকৈত তেওঁ অসম ছাত্ৰ সন্মিলনৰ জৰীয়তে হোৱা চিলাৰাৰ উৎসৱত দুবাৰো দৰ্শকক মোহিত কৰি মাল যুজৰ প্ৰতিযোগিতাত সকালোকে হৰুৱাই পদক লাভ কৰিছে। তেওঁলোকে কলেজৰ নানা ৰাজহুৱা অনুষ্ঠানত মাল যুজ আৰু ব্যায়াম কৌশল দেখুৱাই প্ৰশংসা লাভ কৰিছে। শিলং চহৰতো সেই উদ্দেশ্যে Assam club ৰ জৰীয়তে পতা এখন ৰাজহুৱা সভাত মাল যুজ আৰু মুক্তি যুদ্ধ (Boxing) দেখুৱাই চমক লগাই ছিল। তৰুণ অসমৰ বহুমুখী প্ৰতিভা সুবিধা পালে যে সকলো বিষয়তে উন্নতি লাভ কৰিব পাৰে এই



শ্ৰীযুত কমৰুদ্দিন আহমদ

বিলাক তাৰেই উদাহৰণ। আমি এই দুই ডেকাৰ বহুল সাধনা আৰু উন্নতি কামনা কৰিলো।

ব্যায়ামবীৰ শ্ৰীযুত হৰি নাৰায়ণ বৰুৱা

শৰীৰ চৰ্চ্চা আৰু শক্তি সাধনাৰ বাবে শ্ৰীযুত হৰি নাৰায়ণ বৰুৱা অসমীয়াৰ মাজত সুপৰিচিত। ইয়াৰ বাহিৰেও অসমৰ প্ৰথম শৰীৰ সাধনাৰ অনুষ্ঠান "শক্তি মেলা'ৰ গুৰি ধৰোতা। এখেতৰ অক্লান্ত পৰিশ্ৰম আৰু অসীম চেষ্টাতহে এই অনুষ্ঠান গঢ়ি উঠিছে। যোৱা বেলিৰ শক্তি মেলাৰ কৃতকাৰ্য্যতাই অসমত শক্তি সাধনাৰ উজ্জ্বল ভৱিষ্যতৰ সূচনা কৰিছে। এইবাৰৰ



শ্ৰীযুত হৰি নাৰায়ণ বৰুৱা

শক্তি মেলাত "শক্তি পূজা'ৰ উপচাৰ আৰু সন্তোষ জনক হব বুলি আশা কৰা যায়।

নৌ বিভাগত প্ৰথম অসমীয়া ডেকা

শ্ৰীমান মাখন লাল বৰুৱা নৌ বিভাগলৈ ভৰ্ত্তি কৰিবলৈ পতা এটি প্ৰতিযোগীতাৰ পৰীক্ষাত কৃতকাৰ্য্য হোৱা সকলৰ অন্যতম। তেওঁক ইণ্ডিয়ান মাৰ্কেণ্টাইল মেৰাইন ট্ৰেইনিং শিপ 'ডফৰিণ'ত শিক্ষা দিবলৈ নিৰ্ব্বাচন কৰিছে। এওঁৱেই এই বিভাগলৈ প্ৰথম অসমীয়া 'কেডেট'। এওঁ ৰায়বাহাদুৰ শ্ৰীযুত কনক লাল বৰুৱাৰ সুমলীয়া লৰা আৰু বয়স মুঠেই ১৫ বছৰ। তেওঁ 'ডফৰিণ' জাহাজত শিক্ষাৰ বাবে ভৰ্ত্তি হৈছে গৈ।



শ্ৰীমান মাখনলাল বৰুৱা

ব্ৰহ্ম দেশত জাতীয় দিন পালন

অলপতে ব্ৰহ্মদেশ বাসীৰ ১৪শ বাৰ্ষিক জাতীয় দিন পালন উৎসৱ হৈ গল। এই উৎসৱত ডেকা-বুঢ়া, লৰা-



ব্ৰহ্মদেশত জাতীয় দিন পালন উৎসৱ

তিৰোতা যোগ দি জাতীয় পতাকা উৰাই জাতীয়তা আৰু দেশ প্ৰাণতাৰ পৰিচয় দিছিল।

বসন্ত

কথা কবিতা—

—শ্ৰীযুত কামাখ্যা প্ৰসাদ ত্ৰিপাঠি এম-এ

পৰ্ব্বতৰ নামনি। ঠিক অসমৰ ডকলা পৰ্ব্বত নহয় যেন। কাৰণ চাৰিউপিনে বৰফেৰে ভৰা। ৰাতি পুওৱা নাই। বগা বৰফে তৰাৰ কিৰণ বুটলি আনি সিমানকে পোহৰ কৰি তুলিছে। পোহৰৰ কম্পনলৈ চাইহে তৰাৰ কিৰণ বুলিছোঁ; নহলে হেঙ্গুলি উষাৰ প্ৰাকজ্যোতি বুলি ভাবিবলৈ মন যায়েই।

আজি বেলি বিষুব ৰেখা পাৰ হ'ব। ইমান দিন শুই থকা শীতৰ কঙ্কাল মূৰ্ত্তিৰ গা ধৰি আহিব। আকাশৰ দেখা কুঁৱলী নেদেখা ভাপ হৈ যাব। ঠৰঙ্গা গছে পাত পাব। নতুন সৌন্দৰ্য্যৰ স্পন্দন মাটি ফুটি ওলাই চৌদিশ বিয়পি পৰিব।

কিন্তু বসন্ত ইমান লেহেম। হাতত সাৰে ভৰিত সাৰে আহি সোমায়হি! ইমান মনে মনে আহে যে শীত মৰি বসন্ত কেনেকৈ হ'ল তাক বুজিবই নোৱাৰি। প্ৰথমতে বৰফ গলে। তাৰ পিছত গছত এটা-দুটাকৈ কুঁহি পাত জন্মে! আমৰ মল ওলায় মানে বহুদিন। বসন্ত আহিও নহা যেন। মই আজি এই দীঘলা বসন্তক চেপিম। জুলীয়া সময় একে ঠাইতে গোট মাৰিব। তাৰ ফলত কঠুৱা বৰফতে ফুল ফুটিব।

কিন্তু উঃ কি জাৰ। জুই কুৰাও গোট মাৰিব যেন পাইছোঁ। বতাহ কোছাই যেন গাৰ মঙ্গহ এডোখৰ খহাই লৈ গ'ল। গছৰ জোঙা ঠাল-ঠেঙুলী আকাশলৈ বিন্ধি আছে। গছৰ ছাল জাৰত কোছ খাই খহটা হৈছে, ইমান ডাঠ। লোম থিয় হবলৈ নাই। বতাহত কঁপে। চিঁ চিঁয়াই শব্দ ওলায়। আমাৰ যেনিবা দাঁত ঠক্‌ঠকায়।

আজি বহুদিন চৰায়ে সেই অকলে থকা ডালত বহা নাই। বহিলে খহি পৰিব। তলত ওলাই থকা জোঙাল খহটা ডালত ওলমি থাকিব। খাই শেষ কৰিবলৈ পৰুৱাবোৰো নাই। জাৰ নেযায় মানে ওলমি থাকিব। খৰি আনিবলৈ গৈ কোনোবাই মাটিত পেলাই দিয়ে যদি বৰফত পোত যাব।

চৰাইবোৰ নো কলৈ গ'ল? বগা, কলা, সেউজীয়া, হালধীয়া? এতিয়া ডৌকাৰ পৰা সৰি পৰা পাখী বতাহত উৰি উৰি আৰু লাহে। গতিকে সৰু লৰায়ো ওপৰতে ধৰিবলৈ জপিয়াই জপিয়াই হাত নেমেলে।

চাৰিউপিনে নিৰানন্দ, নিজঞ্জাল। সকলো বস্তুৰ ওপৰতে যেন যা-যা গুচ্ গুচ্ লিখা। ৰাতিপুৱা গোধূলি মানুহ বাজ নোলায়; ঘৰ সোমায়! হাত মোজাৰ ভিতৰেদি জাবে ঢুকি পোৱা আঙ্গুলিবোৰ জুইৰ ওচৰত বহি সেঁকে। ধীৰে ধীৰে আগবোৰত গৰম ফিৰি আহে। আকাশৰ দুই প্ৰান্তত বেলি উঠে আৰু মাৰ যায়। শিলত বহি কোনেও নাচায়। পুৱতী চৰায়ে আৰাৱ নকৰে, বাহৰ পৰা মুখ মেলি নাচায়। সন্ধিয়া বগলিবোৰে জাক পাতি সি পাৰলৈ নাযায়। খাগৰিৰ জাজিত পৰি কাউৰী জনী নামনিলৈ বৈ নাহে; উঠি যোৱা মৰাশৰ বুকুত বহি চকু নুখুটিয়ায়।

নৈৰ বুকুত পানী গোট মাৰি বৰফ হৈছে। ওপৰেদি লৰি গ'লে মাজে মাজে ফাট মেলে। ফাটেদি মানুহটো সোমাই যায়। বিন্ধাইদি ক'লা চুলিবোৰ ওলাও ওলাও কৰে। বৰফ-ডোখৰ বোৰে ততালিকৈ আহি আস্তেকৈ তাক গুচাই বিন্ধা মাৰি পেলায়। এই দৰে সাজি পাৰি আনলৈ বৈ থাকে। ভুলিও নাহাহেঁ।

গধূলি বাটৰুৱাৰ মুখত বতাহ বলে। নীলা হাত ঘঁহিবলৈ যাওঁতে তাৰ চকুলৈ আজলি আঁজলি বৰফ দলিয়ায়। দূৰত দেখা জুই কুৰা বৰফ-কুঁৱলীৰ মাজেদি কত ৰকম ধৰে। ওচৰ যেন দেখি; বিচাৰি লৈ

উলিয়াব নোৱাৰি। ভাগৰত ক্লান্ত হৈ বাগৰি পৰে। তলৰ বৰফে আতঁৰি দিয়ে। ওপৰৰ পৰা বৰফ গুৰি কুলায় পাচিয়ে ঢালে। গাঁতত উম লাগে, টোপনি আহে। ৰাতিপোৱা মানে তাৰ ওপৰত এহাত বৰফ জমে।

আগন্তুকে আহি দুৱাৰত ধকিয়ায়। বহুত পৰৰ মূৰত দুৱাৰ অলপ কৈ মেলি দিওঁ। বাহিৰৰ বগা বতাহৰে সৈতে আমাক কঁপাই মানুহটো সোমাই আহে। ততালিকে জপাওঁ। সি এমাহ কাপোৰ সলোৱা নাই। নোগোন্ধাই কিন্তু। তাৰ ওপৰতে মই দিয়া কাপোৰ মেৰিয়াই লয়। জুইলৈ এবাৰ পিঠি দিয়ে এবাৰ মুখ কৰে। খায়। দুৱাৰৰ সুৰুঙাইদি বতাহ আহে সুৰুঙ্গাবিলাক কপাহ সুমুৱাই বন্ধ কৰোঁ, বাহিৰত জোনাক। বগা বতাহৰ মাজেদি জুমি চায়। অকলশৰীয়া জোন বিজন জগতত মানুহ বিচাৰি আকাশ অতিক্ৰম কৰে।

বৰষুণ পৰাদি বৰফ পৰে। জানালাৰ কাঁচত পিট্ পিট্ কৰে শব্দ হয়। ভোকোলাই নামাতে উঃ কি জাৰ। এই জাৰত পানীও নালাগে।

আজিৰ পৰা এই জাৰ যাব। আজি বিষুব সংক্ৰান্তি। পূবৰ আকাশ ফৰকাল হৈ আহিছে। বসন্তৰ উম, বসন্তৰ গান আকৌ ফিৰি আহিব।—এ ৰাম! এন্ধাৰ হৈ আহিল। আকৌ বগা বতাহৰ সোঁ-সোৱনি। উশাহ নোপোৱা। ভাৰি। কিন্তু কি জোৰ। মাটিৰ বৰফকে যেন উৰুৱাই নিব। সেই গছজোপৰ ঠৰঙ্গা ডালবোৰ লৰিছে। বতাহে উৰুৱাই নিয়া বৰফ গুৰি ঘৰৰ দেৱালত লাগি শব্দ হৈছে। পচিমী বতাহ। নাঙঠ গছৰ সোঁ সোঁৱনি বাঢ়ি আহিছে। নিজঞ্জাল প্ৰকৃতিত কিহৰ তৰঙ্গ। বাহিৰত একো নেদেখি। দুৱাৰত আটি থোৱা কপাহ উৰাই পঠিয়ালে। ভিতৰলৈ বৰফ কণা সোমাই আহিল। ঘূৰণীয়া বতাহে পাই তুলি নি খিড়িকীৰ কাঠত পেলালে নি, আৰু এজাক বতাহে পাই বিন্ধাইদি উৰুৱাই বাহিৰলৈ লৈ গ'ল। আকৌ সোঁ সোঁৱনি। জগতৰ বৰফ যেন অইন কোনোবা ঠাইলৈ উৰুৱাই লৈ যাব। য'ত দৰ্কাৰ। ইয়াত চাগে দিন উকলিল।

সৌ ডাঙৰ গছজোপা ধোৱা ধোঁৱা দেখি। সেই সুদা ডালটো আকাশৰ গাত অঁকা॥ লৰিছে। এটা নহয় বহুতো, ডাল এটা ভাঙ্গি পৰিল। আহি তলৰ ডালটোত লাগি ৰ'ল। যেন পোৱালী গছ; ইটোৰ গুৰি ইমান ডাঙৰ হাতেৰে আকোঁৱালি নাপায়। পোৱালী গছৰ যেনিবা গুৰি সৰু।

ৰিব ৰিব বতাহ বলিছে। কিন্তু বতাহত ওলমি থকা বৰফ কলৈ গ'ল? কোন ফুল পাতৰ বতাহ এয়া? কোন ঘাঁহনিত হাত বুলাই এই খিনি পালেহি। হা। ঘাঁহ আহিব, পাত আহিব, ফুল আহিব; পাত আহিব, ফুল আহিব, পানী আহিব—পানী আহিব, পানী আহিব।

পূবৰ আকাশ হেঙ্গুলি হৈ আহিছে। দুমাহ ৰঙ্গা হোৱা নাছিল। আজি নতুন বতাহ পাই আকাশৰ গাতো ৰং ধৰিছে। ওঠৰ তেজ ফিৰি আহিছে। গালত তেজ উঠিছে, নিৰ্ম্মল আকাশ ছলছলীয়া। তাৰ মাজেদি আনন্দৰ চকুপানী টপ টপ কৰে বাগৰি পৰি ধৰণী জুলীয়া কৰিছে। বহুদিনৰ মূৰত বৰফৰ বুকুত পানী। আজি কি আনন্দৰ দিন।

বেলিৰ কিৰণ পাই উষাৰ ৰঙা ওঠ জিলিকি উঠিছে। পোহৰৰ আঁহবোৰ কঁপি কঁপি উৰিছে। মুঠি মুঠি ৰশ্মি বোৰ জোকাৰি জোকাৰি কোনে কাক বিচাৰিছে? উঃ, এনে উত্ৰাৱল ৰশ্মিক কোনে বান্ধি ৰাখিব? এই ৰশ্মিয়ে যে মোৰ মনৰ লুকাই থকা মলিকো পোহৰ কৰি পেলাব। সেই ৰশ্মিত কেনেকৈ মই গা ধুম? এই বোৰত বাগৰি কেনেকৈ বেলিৰ ওচৰ পামগৈ?

তপত কিৰণৰ পৰশ পাই গছৰ গাত জোল বৈছে। কাঠ-বৰফ জুলীয়া হৈ আহিছে। পৃথিবীৰ বগা বুকু চিক্‌মিকাইছে। চিকমিকনিত আকাশৰ ৰশ্মিখেলা প্ৰতিবিম্বিত হৈছে। উপৰে আকাশ, তলে আকাশ; ইয়াৰ মাজত ৰঙা বেলিৰ কিৰণৰ খেলিমেলি। নিমাত সংসাৰে হিয়া কোমলাই তাত এই উদ্‌ভ্ৰান্ত নাচৰ ছাপ লব খুজিছে।

লাহে লাহে পছিমী বতাহে অনা সেয়ে আকাশ ছাতি পেলালে। চাৰিউপিনে ক'লা মেঘ। হাত নেদেখি,

বিজুলি আৰু মেঘৰ ঘৰ্ষবৰি। বতাহ শম কাটিছে। এই বৰষুণ আহিল। গছ-গছনি শিহৰি উঠিল। এই পানীৰ কোন ঝিনিত সেউজীয়া পাত লুকাই আছে?

উঃ কি বৰষুণ। চাৰিউপিনে বৰষুণৰ পানী লৰিছে কিচ কিচ কৰে ক'লা। হাড় নোহোৱা, অকাই পকাই যায়। নিঃশব্দে বেঢ়ি পেলায়। ক্ৰমে উঠি আছে। ঢৌবোৰত জিভা লক্ লকায়। আইওঁ কোন ওখ ঠাইলৈ পলাম।

মেঘবোৰ ফাটে। মাজেদি পোহৰ আছে। জিভা নহয় ঢৌৰ চিটিকনিহে। বগা বৰফৰ ওপৰলৈ অলপিয়া পানী বাগৰি যায়। কুল কুলু শব্দ কৰে। পানীত হাত দিওঁ। কত দিনৰ নেদেখা কোমল পানী। ভবিৰ তলুৱা জুৰুৱিয়াওঁ। উম লাগে। বেলিৰ ওচৰৰ পৰা অহা পানী। অন্তৰত বেলিৰ তাপ লুকাই আছে নহয়।

এতিয়া এক আচৰিত শব্দ হয়। কুলিয়ে মাতে, আকাশত আঁকা ডালৰ সিপাৰৰ পৰা কুলিৰ মাত বিঙিয়াই বিঙিয়াই আছে। কুই-উ। কুলকুলাই যোৱা পানীয়ে ক্ষন্তেক বৈ শুনে, তাৰ পিছত নাচি নাচি যায়।

অন্তৰীক্ষত চৰাই-চৰাকৰ শব্দ। স্পষ্ট হৈ আহোঁ জাক পাতি উৰাৰ শব্দ। দক্ষিণৰ পৰা উত্তৰলৈ যায়। বাজ হাঁহে মাতে। আকৌ! আকৌ—আকৌ—

মেঘত লাগি থকা চাতকে মাতে। মেঘত পুলকৰ সঞ্চাৰ হয়। গছৰ আগবোৰৰ হৰিয়ত কঁপি কঁপি পল্লবিত হৈ পৰে। ফটা মেঘৰ মাজেদি এক নতুনৰ সঞ্চাৰ বৈ আহে। জেউতিৰ দৰে তাৰ ৰূপ; হেপাহৰ দৰে তাৰ ভাব। বেলিয়ে বিণিকি-বেথাৰ ওপৰেদি ভূমি চায়। গছে গাত প্ৰসৰ কৰে। বঙচুৱা পাত। নিমজ, আলহুৱা। চিকোন। বেলিৰ চকুৰে চকুৰে পৰি লাজত সেউজীয়া হয়।

পচিমৰ পৰা বগণীজাক উৰি আছে। বঞ্চিত ডোকাবুকু চিকমিকাহ। পাতৰ জন্ম-লীলাত আচৰিত হৈ ৰয়; তাৰ পিছত উথাচুথাই পোহৰৰ বাজ্যলৈ উৰি যায়। সংসাৰত থাকি যায় বগা বগা ভাৰ আকৌ—আক এজাক। আক এজাক। আক এজাক—সেউজীয়া ভাটৌ, বগা পাৰ, ভাটৌ, পানী কাউৰী, উঃ; হালধীয়া, ক'লা—একেলগে ইমান প্ৰাণৰ চল। প্ৰাণ আৰু পোহৰৰ সংঘৰ্ষ।

নাঙঠ গছ সেউজীয়া পাতত আবৰি আছে। ঠাল-ঠেঙুলি ঢাক খায়। একেলগে ইমান যৌবনৰ ভৰত হালি পৰে। গছে সেউজীয়া পাত টানি আনি এপিনে বঙা মিহি বুকু ঢাকিবলৈ যাওঁতে আনপিনে বুকু উদং হয়। ডউকাৰ চৰায়ে পোহৰত গা ধুৱলৈ পাহৰে। সেউজীয়া ওখনি ফালি ভিতৰত সোমায়। বঙা বুকু ক্ষত-বিক্ষত কৰে। আক তাৰ পিছত—ইমান সুখ সহিব নোৱাৰি—

আকাশত আঁকা ডালত আমৰ মল ওলায়। সৃষ্টিত পুনৰ এক সঞ্চাৰ হয়। গছ লতাই শিহৰি শিহৰি ফুল উদ্গীৰণ কৰে। উঠি অহা যৌবনৰ লাজ আৱৰণ ফালি তপত প্ৰাণৰ সৌন্দৰ্য্য প্ৰকাশ পায়। ইমান প্ৰাণক কোনে ভেটা দি ৰাখিব। সেউজীয়া পাত-ওৰণিক আবৰি শই শই ফুল দোঁ খাই আছে। ঘন-গল্পৰৰ আঁবত জাপ দৈ থকা ফুলেও, ওলাৰ নোৱাৰি, ফাটি যাওঁ ফাটি যাওঁ কৰা সৌৰভ বিতৰি নিজৰ অস্তিত্ব প্ৰকাশ কৰে।

মাটি ফুটি ভোমোৱাৰ জন্ম হয়। অজানা দেশৰ মৌ-মাখী আহি মৌ চুহি লৈ পলায়। জাকে জাকে মৌ বতাহত উঠে আক নামে। ফুলেও বতাহত জোকাৰ খায়। নিজক মৌ-ভোমাৰৰ ক্ৰীড়াৰ সামগ্ৰী কৰে, কাৰণ নিজক কেনেকৈ সিইতৰ মৰণ-চুমাৰ পৰা বচাব লাগে তাক বধুৱাই নাজানে।

কপাহ দিয়া দৰজাৰ ভিতৰত শুই থকা ছোৱালী সৃষ্টি জুৰা প্ৰাণৰ স্পন্দনত জাগি উঠে। নিজৰ গাত যৌৱন হিল্লোলৰ আন্দোলনি প্ৰকাশ পোৱা দেখি উদাহু খাই আলনাত থকা মাকৰ বীহাৰে ঢাকে। কি হৈছে ভাবিবলৈ চেষ্টা কৰে। চাৰিউপিনে কোনেও চাই থকা নেদেখি লাহেকৈ বুকুৰ কাপোৰ ওচাই চায়। ভিতৰে বাহিৰে প্ৰকৃতিৰ কঠোৰ সঙ্কেত। বিছনা এৰি চুৰাৰ মেলে। ইততঃ কৰি বাজলৈ ওলাই যায়, ন'ত পোহৰৰ নিজৰা বৈছে।

প্ৰকৃতিৰ ব্যাকুল যৌৱনৰ ৰূপ দেখি থমক খাই ৰয়। বৰফ নোহোৱা মাটিৰ পৰা ভবিৰ আঙুলিৰ মাজেদি সেউজীয়া ঘাই মুৰ ডাঙি উঠে। তাই ততালিকে ভৰি ওচাই পেলায়। ভবিৰ ঠাই মুহূর্ত্ততে সেউজীয়া ঘাঁহেৰে পুৰ হৈ যায়। মাজে মাজে গহ জোপোহা মাটি ফুটি ওলায়। ফুলৰ ভৰত মাটিত বাগৰে। ধৰণীৰ কোছ ফুলেৰে ভৰে। ঘনচিবিকাই পাত খুটিয়ায়। পোহৰৰ তালে তালে বালিমাহীৰ নেজ কঁপে। পখিলা থাকিব নোৱাৰা হয়। বতাহত ফুলৰ সৌৰভ, চৰাইৰ মাত, পোহৰৰ হিল্লোলে মুখৰিল ধুৱাইছে। চকুপানী তিৰবিৰাইছে। বতাহে কাপোৰ কাঢ়ি নিওঁ কাঢ়ি নিওঁ কৰিছে। ব্যাকুল আনন্দ। ব্যাকুলতাৰ মাজেদি অন্তৰীক্ষত মৰণৰ সঙ্কেত। সৃষ্টিৰ ব্যাকুল গান। বনফুল দুলিছে। চৰায়ে নাচিছে। ম'বাই ছালি ধৰিছে। পুৰত পোহৰ নাচিছে; মনত প্ৰাণ নাচিছে। সকলোতে বিহ বিহ লিখা। কুলিয়ে বিহ লগাই দিছে। কেতেকীয়ে টোকাৰী বজাইছে। তাই হাত মেলি কাপোৰ তুলিবলৈ যায়; কিন্তু কাপোৰ চুকি পোৱাৰ আগেয়ে প্ৰাণৰ ধুমুহাই পাই এই প্ৰয়াসত নাচোন তোলে। ঘৰত শুই থকা ডেকাই বিহনাচৰ ঠেঙ তুলি জিকাৰ খাই উঠে। সৃষ্টিৰ পোহৰত য'ত তাৰ লগৰীয়ে ছালি ধৰিছে, তালৈ লৰি যায়। সময় বেছি নাই। নাচি নাচি চুহা সজুলীন হয়। সাংসাৰ ব্যাপী নৃত্য-বদন সঞ্চাৰ হয়। যৌবনৰ তৰঙ্গই মৃত্যুৰ ভেটা এটা এটাকৈ ভাঙ্গি চুৰমাৰ কৰে। ঘৰ ভাঙ্গি মতা-তিবোতা লৰা-ছোৱালী বাজ ওলায়। কু-সংস্কাৰৰ টেকেৰী ফাটে। সমাজৰ বান্ধ ছিঙ্গে। জগত আগুৱায় ৰেখা মাৰ যায়। সুন্দৰ বস্তুৰ ৰূপ আঁকা আঁচো মাৰ যায়। গোলাপ পাহিৰ সৌন্দৰ্য্যই ঘুৰণীয়া ৰেখাৰ বান্ধ ভাঙ্গি অসীমলৈ বৈ যায়। দৃশ্য-অদৃশ্যৰ প্ৰভেদ গুচে; দুখ-সুখৰ ভেদ ভাঙ্গে। চৰায়ে চৰায়ে চুমা খায়। বাহিৰৰ সংসাৰ, বাহিৰৰ আকাশ, বাহিৰৰ পোহৰ ঠেঁটৰ মাজেদি পেটত সোমায়। ঢৌৰ ঘুন্দা সহিব নোৱাৰি পখীৰ পেট বাঢ়িবলৈ ধৰে। অসীম সংসাৰ পেট ত সোমায়; সসীম পেট অসীম হয় ভিতৰত তেতিয়া অসীম পোহৰ; বাহিৰৰ সসীম ভেটা নেদেখি। পাগল ধৰণীৰ বুকু বিহৰ তৰঙ্গত উঠি আছে। সমতল গুচি পৰ্ব্বত হয়। পৰ্ব্বতৰ মুখ ফাটি প্ৰাণৰ নিজৰা ওপৰলৈ মাৰি পঠিয়ায়, সুন্দৰৰ কণিকা' আকাশ ব্যাপি পৰে। সংসাৰত প্ৰাণী বৰষে। সাঁপবোৰে লেউ লেউ কৰি বাগৰি ফেঁট তুলি উঠে। বেঙে সেইবোৰৰ ওপৰলৈ জপিয়াই যায়। বাঘীমাহীয়ে লেজ জোকাৰি কিচ কিচায়। মেঘে আকাশত বোল সানে। গাভকৰ মুখ ফুটি গান ওলায়। তাকে দেখি অফুৰন্ত প্ৰাণৰ বিচিত্ৰ স্পৃহাই ডেকাৰ মুখত ওলাৰ খোজা গানক মাৰি হাতৰ কাঠিত বীণাৰ সুৰ তোলে। স্পন্দন। স্পন্দন আক আশা। আশা আক স্পন্দন। কেজনমানেহে পোহৰত তুলি সংসাৰ আগুৰে। বেচিভাগে স্পন্দনৰ তেজ সহিব নোৱাৰি মূৰ্চ্ছা যায়। সংসাৰ ভাগৰি আছে। কুলি নিমাত হয়। ফুলৰ পাহি সৰে। মৌ-বোৱে ভাবি ভাবি দেশান্তৰলৈ যায়। গাভকৰ মুখ ফেনায়। মূৰ্চ্ছা যায়। স্বৰগৰ দেৱতা তৰ্ক। আউলীবাউলী বগা পাহিৰ মাজত পঙ্খম-চাকৰ দৰে মুখ খন নিষ্প্ৰভ হয়। মৰণ দেৱতাই মুখত কাপোৰ দি হাঁহে। মৃৱত হাত বুলায়। মুখৰ ফেন মচে। অৱশিষ্ট প্ৰাণৰ স্পন্দন গোটাই বীজত ভৰাই ভৰালত গুচাই থয়। তাৰ পিছত প্ৰাণহীন জকাবোৰ তুলি লৈ সন্ধিয়াৰ বাজ্যলৈ ভাবি ভাবি গুচি যায়, আন্ধাৰ নামে।



বিবিধ

পৃথিবীৰ ভিন ভিন ধৰ্ম্মাৱলম্বীৰ সংখ্যা

ৰোমান কেথলিক	৩৩১,৫০০,০০০
'গোড়া' কেথলিক	১১৪,০০০,০০০
প্ৰটেষ্টাণ্ট	২০৩,৯০০,০০০
ইংৰাজী	১৩,১৩০,০০০
মুছলমান	২০০,০২০,০০০
বৌদ্ধ	১৫০,৯৮০,০০০
হিন্দু	২৩০,১৫০,০০০
কনফিউছিয়ান	৩৫০,৬০০,০০০
চিনটগেষ্টচ্	২৫,০০০,০০০
কোনো ধৰ্ম্মবিশ্বাস নোহোৱা	১৩৫,০৫০,০০০
অন্যান্য ধৰ্ম্মাৱলম্বী	৫০,৮৭৫,০০০
মুঠ	১,৮২০,০০০,০০০

বিভিন্ন দেশৰ কালি পৰিমাণ

পৃথিবীৰ মুঠ কালিপৰিমাণ—৫৫,৫০০,০০০ বৰ্গ মাইল

এচিয়া	১৭,০০০,০০০	বঃ মাঃ
আমেৰিকা	১৪,১২০,০০০	"
য়ুৰোপ	৩,৮০০,০০০	"
অষ্ট্রেলেচিয়া) ওচেনিগা)	৭৫০,০০০	"
আফ্রিকা	১১,৭৫০,০০০	"

চীনৰ গ্ৰেণ্ড কেনেল পৃথিবীৰ ভিতৰত আটাইতকৈ দীঘল কেনেল। দীঘলে হ'ল ১০০০ মাইল।

* * * *

লণ্ডনৰ চেণ্টপল গৰটো সাজোতে ৩৫ বছৰ লাগিছিল।

* * * *

কমলা টেঙ্গাৰ গছে ১৫০ বছৰ বয়সলৈকে ফল ধৰে।

* * * *

য়োম আৰু মাদ্রিডলৈ লণ্ডনৰ পৰা সমান দূৰ—১১৫০ মাইল।

* * * *

তাঁৰহীন টেলিগ্রাফীৰ আবিষ্কাৰ সম্বন্ধে ১৮৬৪ চনত চাল চ ব্রাৰ্ক মেক্সৱেল নামে বৈজ্ঞানিক এজনে ভবিষ্যৎ বাণী কৰিছিল।

* * * *

নেগলচৰ ষ্টেট বেঙ্ক পৃথিবীৰ আটাইতকৈ পুৰণি বেঙ্ক। ১৫৬৯ চনতে এই বেঙ্ক স্থাপন কৰা হৈছিল।

* * * *

একে সমান আয়তনৰ পানীতকৈ ৰূপ ১০ গুণ গধুৰ আৰু লোণ ১২ গুণ গধুৰ।

* * * *

সাগৰৰ পানী নুবীয়া। কিন্তু সকলো ঠাইতে সমান নুবীয়া নহয়। আটলাণ্টিক মহাসাগৰৰ এটন পানীত ৩১ পাউণ্ড লোণ পোৱা যায়। 'ডেড ছি'ৰ এটন পানীত ১৮০ ৰ পৰা ১২০ পাউণ্ডলৈ পোৱা যায়।

* * * *



সৌন্দৰ্য্য

—৺ভগৱতী প্ৰসাদ বৰুৱা

আমি দেখিছোঁ, নিচেই কেচুৱা লৰা এটিয়ে চকুৰ গৰিত্ৰ জেউতিৰে সকলোকে বশ কৰি, কেতিয়াবা আকাশৰ ফালে, কেতিয়াবা গছগছনিৰ ফালে আৰু কেতিয়াবা দূৰৰি বনে আবৰি থকা চোতালৰ ফালে ট-ট কৈ চাই থকা। আমি কিন্তু সেই আকাশলৈ, অনন্ত ঈশ্বৰৰ আভাস পোৱা সেই আকাশলৈ ঘিমান থৰ লাগি লাগি চাওঁ সিমানেই খেলিমেলিৰ বাজে আমাৰ মনলৈ অইন একো নাহে। গছ গছনি আৰু সেউজীয়া দুবৰিলৈ চালে অতি টানে কবিৰ এফাকি দুফাকি পদলৈ মনত পৰাৰ বাহিৰে আন আৰু প্ৰায়ে একো নহয়। সেই দেখি, কেচুৱা লৰাটিৰ ভাব দেখি যেতিয়া কৌতুকতে আমিও আকাশলৈ চাওঁ, গছগছনি আৰু দুবৰিলৈ চাওঁ, আগে পাছে নেদেখা কিবা এটি তাত দেখো, আগে পাছে সুবুজা কিবা এটি বুজি উঠোঁ আৰু আগে-পাছে নভবা কথা মনত আহি খেলাগহি। তেতিয়াৰ মনৰ ভাব—নহয়—হিয়াৰ অনুভূতি অৱশ্যে প্ৰকাশ কৰিব নোৱাৰি। এই ফেৰিয়েই আমাৰ ওপৰত সেই কেচুৱা লৰাটিৰ পৰিত্ৰ আত্মাৰ গৰিত্ৰ ভাবৰ প্ৰভাৱ! কেচুৱাটিৰ সহায়ত আমি নেদেখা বস্তু দেখিলোঁ আৰু হিয়াত নতুন অনুভূতি হল।

আকাশত, গছগছনিত আৰু দুবৰিত আমি যি নেদেখা বস্তু দেখিলোঁ তাকে মই "সৌন্দৰ্য্য" বুলিছোঁ। এই সুন্দৰৰ ভাব সৌন্দৰ্য্যক মগজুলে চুকি নেপায়, কথাৰে প্ৰকাশ কৰিব নোৱাৰি, কেৱল অন্তৰবে হে অনুভৱ কৰিব পাৰে।

আমাৰ যিবিলাক বস্তু দেখি কেতিয়াবা কেতিয়াবা নেদেখা বস্তু দেখাৰ নিচিনা লাগে, প্ৰায় সেই সকলো সময়তেই আমাৰ এক প্ৰকাৰ অনুভূতি হয়। সেই দেখি, আমি বুজিছোঁ, যে যদিও আমি আমাৰ উকা চকুৰে

দৃশ্যমান বস্তু বিলাকৰ ক্ষণত বিভিন্নতা দেখো, কিন্তু সেই সকলোবোৰৰ অন্তর্নিহিত ভাব একে। সকলো বস্তুৰ সেই অন্তর্নিহিত ভাবে আমাক একে ৰকমে অনুপ্ৰাণিত কৰে। আমি আগেয়েই বস্তুবিলাকৰ অন্তর্নিহিত ভাবকে সৌন্দৰ্য্য বুলি আহিছোঁ। গতিকে সৌন্দৰ্য্য সকলো ঠাইতে সকলো বস্তুতে একে; ইয়াৰ বিভিন্ন প্ৰকাৰ নাই।

* * * * *

আমি দেখা বস্তুবিলাক কেতিয়াও আমি দেখাৰ নিচিনা নহয়। সেইবিলাক আচলতে অইন ৰকমৰ। ধৰক, এজন মানুহ মাটিত বাগুৰি পৰিছে চুলি টাৰি আউল বাউল হৈ আছে, চুকুৰেদি, গালৰ ওপৰেদি নিয়ৰৰ টোপালৰ দৰে তপ্ তপ কৰে চকু পানী বৈ পৰিছে। এই ছবিটো দেখিয়েই আমাৰ অনুভূতি হ'ল। সেই অনুভূতিত সেই আউলবাউল চুলিটোৰি নাই, তাত নিয়ৰৰ টোপালৰ নিচিনা চকুপানী টোপালোও নাই। আমাৰ মনৰ কেমেৰাত এই ছবিটো হুবহু ছাপ খাই ৰব পাৰে, কিন্তু আমাৰ হৃদয়ত সি বেলেগ আকাৰে হে প্ৰতিবিম্বিত হল; সি তেনেই সুকীয়া ভাব যাক কেৱল অনুভৱ হে কৰিব পাৰি মনত ধাৰণা বা কথাৰে প্ৰকাশ কৰা অসম্ভৱ। এতিয়া ক'ত্তা দেখা বস্তুটোতো দেখাৰ দৰে নৱল।

এই দৃশ্যটোত আমি চকুৰে নেদেখা বা সহজে সুবুজা কিবা এটা ভাব লুকাই আছিল যি ভাবক ছবিটোৱে প্ৰাণ বুলিব পাৰি; তাক কেৱল আমাৰ হিয়াই হে উপলব্ধি কৰিব পাৰিছে। 'The seen is the mirror of the unseen" দেখা বস্তু বিলাক কেৱল একোখন দাপোণস্বৰূপ ত আমি নেদেখা বস্তু বিলাক দেখো।

এই দৰেই আমি সৃষ্টিৰ সকলো বস্তুতে দৃষ্টৰূপত অদৃষ্টৰূপ লুকাই থকা দেখোঁ। যেনেকৈ এখন চিত্ৰপটৰ "বেক্ গ্ৰাউণ্ডে" (Back ground) পটখন তুলি ধৰে আৰু তাৰ অস্ফুট ভাব বেকত কৰে, এই দৃশ্যমান সৃষ্টিৰো পাছফালে থাকি কিবা এটা অদৃষ্ট শক্তিয়ে তাৰ জেউতি চৰাইছে। সৃষ্টিৰ অব্যক্ত ভাব বেকত কৰিছে। এই অনন্ত সৃষ্টি যি ভাবে অনুপ্ৰাণিত কৰিছে সেই ভাবো অনন্ত। এই অনন্ত ভাব বা ৰূপৰ আধাৰ সেই সুন্দৰৰো সুন্দৰ পৰমেশ্বৰৰ বাহিৰে কোন হব পাৰে? এই গোটেই বিশ্বৰূপৰ "বেক্ গ্ৰাউণ্ড" সেই বিশ্বৰূপাত্মা। তেওঁ এই বিশ্বৰ পাছফালে Back ground স্বৰূপে লুকাই থাকি বিশ্বৰূপৰ বিকাশ আৰু বিচিত্ৰতা সম্পাদন কৰিছে।

* * * *

আগৈয়ে উনুকিওৱা হৈছে যে কেৱল হিয়াৰ দুৱাৰে দিহে সৌন্দৰ্য্য দেখিব পাৰি। হুলেৰে হে হুল কাঢ়িব পাৰি। প্ৰাণৰদ্বাৰাই হে প্ৰাণৰ বস্তু উপলব্ধি কৰিব পাৰি।

দুটা সুকীয়া বস্তু মিলনৰ অৰ্থে সহানুভূতিৰ আৱশ্যক। সেই দেখি, আমি সৌন্দৰ্য্য উপলব্ধি কৰিবলৈ হলে, সৌন্দৰ্য্য থকা বস্তুটোৰ লগত সহানুভূতি ৰাখিব লাগে। সুন্দৰ বস্তুটোৰ ভাবৰে আমাৰ অনুভূতিৰে সামঞ্জস্য ঘটিলে হে তাৰ সৌন্দৰ্য্যই মূৰ্ত্তিমান হৈ আমাৰ আগত দেখা দিব।

আমি কৈছোঁ যে দেখা বস্তুটো নেদেখা বস্তুটোৰ দাপোণ। নেদেখা বস্তুটো হৈছে সৌন্দৰ্য্য। সৌন্দৰ্য্য দেখিবলৈ হলে আমাৰ হিয়াৰ আৰ্চীখন দাঙি ধৰিব লাগিব। আৰ্চীখন মচি-কাচি ফটফটীয়াকৈ ৰাখিলে হে তাত সেই নেদেখা বস্তুটোৰ সুন্দৰ প্ৰতিবিম্ব উজলি উঠিব।

আমি সসীম সান্ত, আমাৰ পক্ষে অনন্ত ঈশ্বৰৰ অনন্ত সুন্দৰ ভাব গ্ৰহণ কৰা নিতান্ত অসম্ভৱ। কিন্তু তেওঁৰ সৌন্দৰ্য্য আংশিকৰূপে গ্ৰহণ কৰা কঠিন নহয়।

সৌন্দৰ্য্য সকলোৰে তলিত লুকাই আছে সঁচা, কিন্তু কোনো এক বিশেষ বাটেদি হে তাক উপলব্ধি কৰা উজু। কোনো বন্ধু বান্ধৱৰ হৃদয়েদি, কোনোৱে মৰমৰ ভাই ভনীৰ অন্তৰেদি সৌন্দৰ্য্য উপলব্ধি কৰি সুন্দৰৰ ভাবত তন্ময় হয়।

হৃদয়ত থাপনা পাতি, ধূপধুনাৰে হৃদয়-মন্দিৰ পৱিত্ৰ কৰি সুন্দৰৰ লগত অনুভূতি ৰাখি এহাশুধীয়া ভাবে সেই 'সুন্দৰম্' অক মাতিলে তেওঁ আহি আমৰ হৃদয় জুৰি বহিবহি, আৰু আমি সৌন্দৰ্য্যত আপ্লুত হম।*

* ১৮৩৩ শকৰ ২৩ বহাগ দেওবাৰে বহা "বিমলালয় সভা"ত পঠিত।



'ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ আছিলনে?

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

আমাৰ দেশৰ বুৰঞ্জী লেখক ছাৰ এডোৱাৰ্ড গেইটে তেখেতৰ 'অসম বুৰঞ্জী'ত ৰুদ্ৰসিংহৰ বিষয়ে লিখিছে—

'Although illiterate Rudrasingha was possessed of a retentive memory and of exceptional intelligence and power of initiative and he is regarded by many as the gratest of the Ahom kings." অৰ্থাৎ নিৰক্ষৰ যদিও ৰুদ্ৰসিংহৰ স্মৰণশক্তি বুদ্ধিবৃত্তি আৰু পৰিকল্পনা শক্তি অসাধাৰণ আছিল। এইটো তেখেতৰ অনুমানহে আৰু এই অনুমানত সচাঁৰ লেশ মাত্ৰও নাই। কি কি সজুলিৰ বলত তেখেতে এনে অনুমান কৰিছিল এই কথা এতিয়াও আন্ধাৰৰ গৰ্ভত। আহোম বুৰঞ্জী লেখকসকল এই বিষয়ে নিমাত দেখিয়েই তেখেতে ততাভুকুটাকৈ এই সিদ্ধান্তত উপনীত হ'লনেকি? কথা যদি ইমানেইহে তেনে ছাৰ এডোৱাৰ্ডে পুৰণি বৌৰঞ্জিক সকলৰ বাটেৰে চলি এই বিষয়ে নিমাত থকাটোহে যুক্তিৰ কাম হ'লহেতেন। কিয়নো সেই বুৰঞ্জী বিলাকেই তেখেতৰ ইংৰাজী ভাষাত ৰচিত 'অসমবুৰঞ্জী'ৰ ভেটি। এতিয়ালৈকে পোহৰলৈ ওলোৱা বুৰঞ্জীবোৰৰ কোনো এখনতে এইবিষয়ে আমি এষাৰীও পোৱা নাই। বুৰঞ্জী আৰু পুৰাতত্ত্ববিভাগৰ সুযোগ্য সম্পাদক অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ দেৱৰ পৰা জানিবলৈ পাইছোঁ যে তেখেতে এতিয়ালৈকে পোৱা হাতেলিখা বুৰঞ্জীবোৰো এই বিষয়ে নিমাত। তেখেতে কয় যে পুৰণি অসমৰ বুৰঞ্জীলেখক সকলে ৰজা এজনৰ লেখা-পঢ়া জনা নজনাৰ কথা লিপিবদ্ধ কৰাৰ আৱশ্যকতা অনুভৱ নকৰিছিল, আৰু প্ৰকৃত কথাত ইমানেইহে। এইদৰে অনুকূল প্ৰমাণৰ নিতান্ত অভাৱতো ছাৰ এডোৱাৰ্ডে তেখেতৰ বুৰঞ্জীৰ শেহৰ তাঙৰণতো ওপৰত দিয়া কথা কেইটি অলপো লৰচৰ নকৰাকৈয়ে ৰাখিছে।

মন কৰিব লগীয়া কথা হৈছে এয়ে যে বুৰঞ্জীলেখক গেইটে ৰুদ্ৰসিংহক নিৰক্ষৰ বুলিবলৈ হলে অলপো সঙ্কোচ কৰা নাই কিন্তু আহোম বংশৰ সকলোতকৈ ডাঙৰ ৰজা বুলি ৰুদ্ৰসিংহক স্বীকাৰ কৰিবলৈ হ'লে সঙ্কোচ কৰিছে নহলেনো 'regraded by many' এই শব্দ কেইটাৰ নিয়োগৰ দৰ্কাৰেই বা আছিল কি? ৰুদ্ৰসিংহ আমাৰ মতে হলে অকল আহোম বংশৰে আটাই তকৈ ডাঙৰ ৰজা নাছিল বৰং ভাস্কৰ বৰ্ম্মাৰ পিছৰ অসমীয়া ৰজা সকলৰ ভিতৰত তেখেতেইহে আটাইতকৈ ডাঙৰ ৰজা। এইজন ৰজাই দেশবিদেশৰ সুধী সকলক নিজৰ ৰাজ্যলৈ নিমন্ত্ৰি আনিছিল, ভাৰতৰ বিখ্যাত শিক্ষাকেন্দ্ৰ বোৰলৈ উচ্চ শিক্ষাৰ কাৰণে অসমীয়া ছাত্ৰক পঠিয়াইছিল, শিল্প বাণিজ্য সাহিত্য আৰু ধৰ্ম্মচৰ্চ্চাত উৎসাহ দিছিল আৰু পুণ্যসলিলা ভাগিৰথীক নিজ ৰাজ্যৰ ভিতৰুৱা কৰিবৰ মানসেৰে বঙ্গ বিজয়ৰ আয়োজনো কৰিছিল। নিঠুৰ মৰণে তেখেতক হঠাতে সামৰি নোলোৱা হেঁতেন আজি বঙ্গৰ মানচিত্ৰৰ প্ৰতিকৃতিয়ে কি গঢ় ললেহেঁতেন ঠাৱৰোৱা টান। ইত্যাদি ইত্যাদি কাৰণতে আমি ৰুদ্ৰসিংহক অসমৰ জাতীয়বীৰ-ৰজা বুলিহে অভিহিত কৰোঁ। এইবিষয়ে ইমানতে এৰি এতিয়া আমি বাকী কেই পিঠিত ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ হোৱা দূৰৈৰ কথা তেখেত যে এজন বিদগ্ধ পণ্ডিত আছিল তাকে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিম।

ৰুদ্ৰসিংহ যে এজন পণ্ডিত আছিল এইকথা প্ৰমাণ কৰিবলৈ হ'লে 'ৰামনাৰায়ণ' নামৰ পুৰণি কবি-সাহিত্যিক এজনৰ সহায় নলৈ নোৱাৰোঁ। অসমীয়া সাহিত্য

জগতত ৰামনাৰায়ণ তেওঁৰ উপাধিৰেহে জনাজাত। এওঁৰ চমুপৰিচয় ইয়াত বোধকৰো অবান্তৰ নহব। ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ সভাত এওঁ ৰাজ কবি আছিল। অনা-অসমীয়া পণ্ডিত কেইজন মানে এওঁক বঙ্গালী বুলি সামৰিব খুজিছে। ৰামনাৰায়ণৰ 'কবিৰাজ চক্ৰবৰ্ত্তী' এই উপাধিয়েই তেখেত সকলক জৰুৰ এই ভ্ৰমত পেলাইছে। উজনী অসমৰ উত্তৰলক্ষীমপুৰ তেওঁৰ বাসস্থান আছিল। আৰু তেওঁৰ বংশধৰ সকল এতিয়াও তাতে আছে। তেওঁৰ পাণ্ডিত্য আৰু কবিত্বত মুগ্ধ হৈ ৰজাই তেওঁক এই উপাধিৰে বিভূষিত কৰিছিল আৰু খুব সম্ভৱ ৰুদ্ৰসিংহৰ পৰাই তেওঁ এই উপাধি পাইছিল। কাজেই বঙ্গদেশৰ পুৰুষানুক্ৰমিক চক্ৰৱৰ্ত্তী উপাধিৰে সৈতে ৰামনাৰায়ণৰ এই উপাধিৰ একো সংশ্ৰৱেই থাকিব নোৱাৰে। তেওঁলোকৰ বংশৰ অকল তেৱেঁই যে ৰজাৰ পৰা উপাধি পাইছিল এনে নহয়; তেওঁৰ দেউতাক ৰামানন্দ শৰ্ম্মাক জয়ধ্বজসিংহ ৰজাই সৰস্বতী উপাধি দিছিল। ইয়াৰ উপৰিও এই বংশৰ আৰু কেইবাজনেও ৰাজ অনুগ্ৰহ পাইছিল। তলত দিয়া ৰামনাৰায়ণৰ আত্মপৰিচয়েই সকলেবোৰ বিবৰি কব।

"জাত কন্বমুনিৰ বংশত বিপ্ৰবৰ।
সদাবৰ নামে ভৈল বিষ্ণুৰ কিঙ্কৰ॥
তাহান বংশত ভৈলা চতুৰ্ভুজ নাম।
শাস্ত্ৰত পণ্ডিত বিপ্ৰ গুণে অভিৰাম॥
তাহাৰ তনয় ভৈল বিপ্ৰ বাসুদেৱ।
গুণৱন্ত যাৰ হৰি বিনে নাহি কেৱ॥
নামত পৰমানন্দ তাহান তনয়।
বিষ্ণুৰ ভকত সদাচাৰী মহাশয়॥
উদয় আদিত্যসিংহ সৌমাৰ পিঠত।
পৰম প্ৰচণ্ড ৰাজা আছিলা পূৰ্ব্বত॥
যিটো বিপ্ৰে সেহি নৃপতিক উপাসিয়া।
ভুঞ্জিলে বিবিধ সুখ ধন উপাৰ্জ্জিয়া॥
ৰামানন্দ নামে ভৈল তাহান সন্ততি।
যিটো গুণৱন্ত সদাচাৰী মহামতি॥
যাহাৰ গুণত জয়ধ্বজ নৰপতী।
তুষ্ট হুয়া দিলা নাম তাঁক সৰস্বতী॥
নামত গোবিন্দপ্ৰিয়া ব্ৰাহ্মণৰ সুতা।
বিবাহ দিলন্ত ৰাজা শান্তি-গুণযুতা॥
সেহি সতী সনে বিপ্ৰে গৃহবাস কৰি।
ৰাজাগণ উপাসিলা নিজধৰ্ম্ম ধৰি॥
ৰাজাৰ প্ৰসাদে নানা সুখ ভুঞ্জিলন্ত।
সৌমাৰ পিঠত শুদ্ধ যশ আৰ্জ্জিলন্ত॥
তাহান তনয় ৰামনাৰায়ণ নাম।
বিষ্ণুৰ কিঙ্কৰ ভৈল গুণে অনুপাম॥"—

এইজন পুৰণি কবি-সাহিত্যিকৰ পৰিচয় প্ৰসঙ্গত এখন তামৰ ফলিৰ কথা আহি পৰেহি। ১৯১০ চনত সদিয়াৰ সেইসময়ৰ পলিটিকেল এজেণ্ট মিঃ 'নিধামৰ, জৰীয়তে ঘাৰমৰা সত্ৰৰ অধিকাৰ গোস্বামীয়ে অসম গৱৰ্ণমেণ্টলৈ এখন জীৰ্ণ তামৰ ফলি পঠিয়ায়। পাঠোদ্ধাৰৰ কাৰণে অসম গৱৰ্ণমেণ্টে ফলিখন তেতিয়া জৰ্ম্মেনিদেশৰ বিখ্যাত লিপিতত্ত্ববিদ পণ্ডিত ডক্টৰ টি ব্লকলৈ পঠিয়ায় কিন্তু তেখেতে ফলিৰ পাঠ উদ্ধাৰ কৰিব নোৱাৰি ওভোতাই দিয়াত বঙ্গদেশৰ বিখ্যাত প্ৰত্নতত্ত্ববিদ বাবু ৰাখালদাস বেনাৰ্জ্জিক পঢ়িবলৈ দিয়া হয় পিছে তেখেতৰো ডাক্তৰ ব্লকৰ দশাই দশা হ'ল। এনেতে মহামহোপধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য কবিৰত্ন দেৱক কমিশ্যনাৰ কৰ্ণেল গৰ্ডন ডাঙৰীয়াই ফলিখন পঢ়িবলৈ অনুৰোধ জনায়। কিন্তু মহামহোপাধ্যায়ৰ চকুৰ জ্যোতি কম হোৱাত তেখেতে যত্ন কৰি চাবলৈ আগনাবাঢ়ি তেখেতৰ প্ৰিয় ছাত্ৰ আৰু ভাগিনিয়েক পণ্ডিত শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণলৈ আঙ্গুলিয়ায়। তাতে কমিশ্যনাৰে পূৰ্ব্ববঙ্গ আৰু অসমৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ (Mr. Sharp) স্বাৰ্প ছাহাবৰ সৈতে লেখা লেখি কৰি দেউতাক গুৱাহাটীলৈ অনাই ফলিখন পঢ়িবলৈ দিয়ে। এইবাৰ ফলিৰ পাঠ উদ্ধাৰ হ'ল। তেখেতে উদ্ধাৰ কৰা পাঠৰ পৰা আমি জানিবলৈ পাইছোঁ যে কোনোৱা এজন 'স্বৰ্গনাৰায়ণ' (আহোম ৰজাই) এশঘৰতকৈ বেছি মানুহ খাই-বৈ থাকিবৰ জোখাৰে মাটি নাৰায়ণ নামেৰে কোনোবা এজন বামুণক দান কৰিছিল। এই নাৰায়ণ ব্ৰাহ্মণ কোন এই কথা তেতিয়া জানিব পৰা নগৈছিল। কিন্তু কিছুদিনৰ পিছতে পিতলৰ স্তম্ভ

এটাৰ আৱিষ্কাৰ আৰু পাঠোদ্ধাৰৰ পৰা এওঁ কোন আছিল জানিব পৰা গ'ল। এই স্তম্ভ লিপিৰো পাঠোদ্ধাৰ দেউতায়েই কৰিছিল (বাঁহী ৩য় বছৰ প্ৰথম সংখ্যা) আঘোন ১৮৩৩ চাওক) স্তম্ভ লিপিৰ পাঠ তলত দিয়া হ'ল।—

ভুবন মোহন পদাশ্ৰিত যদুমনি কুলোদ্ভৱ ৰামনাৰায়ন দ্বিজঃ শ্ৰীৰুদ্ৰসিংহ নৃপদত্তা ভুবনদেৱতা পূজ্যৰ্থে দেৱোত্তৰ ভূমি ৪১৩১ হালিচা। শাকে ১৬১৩।

তামৰ ফলিখনত নাৰায়ণ ব্ৰাহ্মণক এনেকৈ উল্লেখ কৰিছে। নাৰায়ণ বৰ বুদ্ধিমান, পুণ্যৱান আৰু ৰজাঘৰৰ পৰা সম্মান পোৱা পুৰুষ আছিল। আমাৰ দৃঢ় বিশ্বাস যে নাৰায়ণে ইয়াত ৰামণাৰায়ণকেহে বুজাইছে। ৪১৩১ হালিচা মাটিৰ উৎপন্নেৰে এশঘৰ ভদ্ৰ পৰিয়ালে সুখেৰে খাই-বৈ থাকিব নোৱাৰিব জানো? ইয়াৰ উপৰিও ৰাজসম্মানপ্ৰাপ্ত বা ৰজাঘৰৰ পৰা সম্মান পোৱা এই কথাৰ উল্লেখে আমাৰ অনুমানকেহে টনকিয়াল কৰে। ছন্দৰ খাতিৰত ৰামণাৰায়ণক নাৰায়ণ বুলি উল্লেখ কৰাটোহে খুব সম্ভৱ। অইন প্ৰমাণৰ একান্ত অভাৱত ৰামণাৰায়ণ আৰু নাৰায়ণ এই দুয়োটো নাম একেজন মানুহৰেই বুলি আমি সিদ্ধান্ত কৰিলোঁ!

এতিয়া চোৱা যাওক এই ৰামনাৰায়ণে কি কাৰণেনো ৰজাৰ পৰা এনেকুৱা দান পাইছিল। এওঁ ৰাজকবি আছিল দেখিয়েই এনেকৈ ৰজাৰ পৰা মাটি বাৰী পাইছিল নেকি? যদি ৰাজকবি হোৱাই ভূমিদানৰ কাৰণ তেনে এনে দান পাব লগীয়া আৰু অইন অইন বিদ্বান মানুহ ৰাজসভাত আছিল। প্ৰকৃত কাৰণ হৈছে এই যে ৰাম নাৰায়ণ পণ্ডিত আৰু কবি আছিল বুলিয়েই এনে দানৰ পাত্ৰ হোৱা নাছিল তেওঁ আছিল ৰুদ্ৰসিংহৰ শিক্ষা গুৰু। কবিয়ে তেওঁৰ আত্মচৰিত্ৰত ৰজাক অজস্ৰ প্ৰশংসা কৰাৰ লগতে চাৰিশাৰী কথা আমালৈ এৰি থৈ গৈছে আৰু এই কেশাৰী কথাই এতিয়ালৈকে ৰুদ্ৰসিংহক নিৰক্ষৰ বুলি কৰা অনুমানৰ অসত্যতা প্ৰমাণ কৰিব।

"কবিৰাজ চক্ৰবৰ্ত্তী যাৰ পৰ নায়!
শাস্ত্ৰত পণ্ডিত বিপ্ৰ গুণে অভিৰাম॥
যাত হন্তে শাস্ত্ৰ পৰি ৰুদ্ৰসিংহৰাই।
পণ্ডিত ভৈলন্ত নানা শাস্ত্ৰ তত্ত্ব পাই॥" *

এতিয়া ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ যে নাছিল এই কথাষাৰাৰ আৰু কিবা প্ৰমাণৰ দৰ্কাৰ আছেনে? ৰুদ্ৰসিংহ অকল পণ্ডিতেই নাছিল তেওঁ এজন লেখত লবলগীয়া গীতিকবিও আছিল। তেওঁ ৰচা গীতবোৰৰ মাজৰ পৰা বাছি বাছি কেইটিমান আমি 'আৱাহন'ৰ পাঠক সকলক আজি ভেটি দিলোঁ। এই গীত কেইটিয়েই মহীমাময়ী নাৰী মহাসতী জয়মতী কুৱঁৰীৰ বৰ লৰা খ্যাতিমন্ত ৰুদ্ৰসিংহ ৰজাৰ পাণ্ডিত্য আৰু কবিত্ব শক্তিৰ আভাস দিব।

(১) † মায়ামোহ ৰাখিয়া চৰণ তলে।
অন্তকালে গতি তৱ পদৰজমূলে॥
পূজাস্তুততে দেবি আইলা মোৰ ঘৰে।
কিদিয়া তুষিব গোসানী চৰণতোৰে"
হুয়োক প্ৰসন্ন মাতা দেহ পদছাঁয়া।
ইবাৰ তৰাও মোক দেবি মহামায়া॥
নিজ গুণে তুষ্ট হুয়া প্ৰতিথে দাসৰ।
মিনতি কৰত ৰুদ্ৰসিংহ নৃপবৰ॥
(২) মিলনি কানুৰ কোলে।
ধনি ৰাধে! চাচৰা চিকুৰ বিৰচিত মুখ
দেখি অলিকুল ভুলে॥
ৰসৰ আবেশে নানা আভৰণ
শৰীৰ অধিক সাজে।
কামৰ কামান জিনি ধ্ৰুবযুগ
কপালে সিন্দুৰ ৰাজে॥
ৰাধা সে ৰঙ্গিনী সুৰ তৰঙ্গিনী
বদন চন্দ্ৰৰ কান্তি।
বসে উগমগ গমন গম্ভীৰ
চলিবে নানান ভান্তি॥

* ৰামনাৰায়ণ—ৰচিত 'শকুন্তলা' কাব্যৰ পৰা।

† 'গীতৰ পুথিৰ' পৰা। সম্প্ৰতি এই পুথি আউনীআটিয়া অধিকাৰ গোস্বামীৰ হাতত আছে।—লিখক

শ্যাম অঙ্গ মাঝে বহিরূপ সাজে
ঘনর মাজে দামিনী।
বদনে বদন করিয়া সুযান
তুলিল রাধিকা বাণী ॥
বাহু বাহু মেলি করে নানা কেলি
রাই শ্যাম রঙ্গ মনে।
রুদ্রসিংহ কয় মনে হেন লয়
রাধার কানু পরাণে ॥

(৩) আইলরে গৌরী প্রসন্ন মন।
পুর্ণিমার শশী সমঙ্গলজ বদন ॥
শিরত কিরীটি শোভে গারে অমুল্য বসন ॥
কর্ণে কুণ্ডল শোভে কণ্ঠে কণ্ঠাভরণ।
দশ ভুজে দশ অস্ত্র ধরিছা সঘন।
কটিত কিঙ্কিনী রাজে নুপর চরণে ॥
রূপর উপমা দিতে পারে কোন জনে।

(৪) চলনি নামারি ভবাণি মায়ি।
শঙ্কিত মনে সে আও পাছ চাই ॥
চন্দিকি উপরে চান্দ বিরাজে।
রবি কিরণ নিগুত চান্দহি সাজে।
আতপে তাপিত পিড়িত আতি।
তজু নিরাবরণ চান্দহি ছাতি ॥
রুদ্রসিংহ নৃপে মিনতি বোলে।
সকলো ভবসা সো পদতলে ॥

(৫) জগদম্বকুলং কর ধৃত শূলং
ভস্ম বিভূষিত গাত্রং
প্রথম বিহারং ভূজগম্ব হারং
হৈমবতী রতি পাত্রং
নিরূপম বেশং নমতি মহীশং
নৃপতি বখিল কৃত সেবং
কচির চরিত্রং পরম পবিত্রং
রুদ্রসিংহ ইহ দেবং

(৬) ঈষৎ হসিতা বদন রচিতা
কনক কমল কান্তি।
দেখি মনোহর বাতুল অধর
দশন মুকুতা পান্তি।
ধনি বাধে রূপ নারনি।
বেশ বনারুঢ় মদন মোহিনি
মণি মুকুটাগণ কবি আভরণ
নীল বস্ত্র অঙ্গে পৈবে।
সিথেতে সিন্দুর দেখিব রচির
নয়নে অঞ্জন ধরে।
রতি-রস-আশে মনত হরিষে
গমন গম্ভীর অতি।
বাধিকার রূপ কোলয় অনুপ
রুদ্রসিংহ মহাপতি ॥ *

* লেখক পুবনি পুথির আধর জোটানিত হস্তক্ষেপ করা নাই।



বাজমহল পাহার আরু তার দাঁতি কাষরীয়া চাওঁতাল জাতি

—শ্রীযুত হরেন্দ্র নাথ কলিতা

মুবাচিক (Jurassic) যুগর কথা। সেই সময়ত বিহার প্রদেশর সোঁ মাজতে এক আগ্নেয় গিরি আছিল। এই পাহারর বর্ত্তমান আয়তন ৪,০০০ বর্গমাইল; ই এতিয়া চাওঁতাল পবগণার বহুঠাই আগুরি আছে। ইয়াত অসংখ্য পাথবর স্তূপ আছে; এই স্তূপ সমষ্টিকে বাজমহল পাহার বুলি কয়। ইয়ার উত্তরে গঙ্গানদী, পুরে গঙ্গানদী আরু সমতল ভূমিখণ্ড, দক্ষিণে দোরাকাঁ (Dwarka) নদী আরু বিরভূম জিলা, পশ্চিমে পাহাবীয়া প্রদেশ আরু ভাগলপুর জিলা। আচলতে বাজমহল পাহারে গবর্ণমেণ্ট বাজার সীমা বা 'দমন-আই-কোই পাহার অতিক্রম নকবে। অর্থাৎ ব্রাহ্মণী বোলা নদী এখনে দক্ষিণ সীমা আগুরি আছে। ব্রাহ্মণী নদীর দক্ষিণে আরু দোরাকাঁ নদীর উত্তরে যিবোর পাহার আছে সেইবোরক 'বামগর পর্ব্বত শ্রেণী' (Range) বোলে। পুবর্ণি বঙ্গদেশর বুরঞ্জীত এই পাহারবোরর নাম উল্লেখ আছে। আগর কালত এই পাহারবোরর মাজত আরু তার দাঁতি কাষরীয়া সমভূমি বোরত বঙ্গদেশর মানুহর লগত মুছলমানর বণ হৈছিল, নিজর প্রাধান্যতা লৈ। পিছ ডোখর কালতো উক্ত ঠাই বোরত ইংবাজ আরু মুছলমানর মাজত যুঁজ হৈছিল।

বাজমহল পাহারত ভালেমান নদী আছে। তার ভিতরত ব্রাহ্মণী নদী 'দমন-আই কোহ' পাহারর মাজেরে বৈ গৈ 'বামগর' পাহারক ইয়ার পরা পৃথক করিছে। বানাস্ই নদীর পরাই পোচোরাবা নামে 'পাছ' এটির উদ্ভব হৈছে। গোমতী নামে নদীখনে 'চুপার বিতা' নামে, পাছ এটির মাজেদি বৈ গৈ আন এটা পাহারর মাজর পরা ওলোরা মোবেল নামে নদী এখনর লগত লগ লাগিছে। সেই খিনির পরা দুযো মিলি গৈ সমভূমির মাজেদি বৈ গৈ গঙ্গানদীত পরিছে। এই নদীবোরর পাকচক্রত পরি পাহারর পাথর বোর কেইবা ভাগতো বিভক্ত হৈছে আরু সেই কাবণেই সিহঁতর গঠন প্রণালী প্রকাশ পাইছে। কেনেদরে বিভিন্ন প্রকৃতির পাথববোর লগলাগি পাহার গঠনত সহায় হৈছে তাক বুজিবর সুবিধা নির্দ্দেশ করিছে। ভূতত্ত্ববিদ্ (geologist) সকলে নানা চিন্তা করি তাক ব্যাখ্যা করিছে। বাবিষা উজনদীবোরর পানীরে উপচি পরে আরু খবস্রোতা হয়। তেতিয়া পার হোরা একপ্রকার অসম্ভর হৈ পরে। খবালি এই নদীবোরত সামান্য মাত্র পানী থাকে।

এই পাহার বোর সাধারণতে ৫০০ র পরা ৮০০ ফুটলৈকে ওখ। কিছুমান গাইগোটা পাহার ১৫০০ ফুট আরু কেইটামান টিং২০০০ ফুট ওখ বুলি 'বেকর্ড' পোরা যায়। এই পাহার বিলাকত সাধারণতে দুই বকমর পাথর পোরা যায়। প্রথম বিধ ক'লা আরু দ্বিতীয় বিধ পলসুরা পাথর (Sedimentary rocks) এই পলসুরা পাথর বিলাকর স্তর (strata) আগ্নেয় পাথরর মাজে মাজে পোরা যায়। পলসুরা পাথরর ভিতরত মৃত পাথর আরু বালি পাথরবর স্তর প্রধান।

শ্রীযুত নন্দীপ্রসাদ কটকী এম,এছ চি এইবার Geological Excursion র কাবণে এই বাজমহল পাহার চাবলৈ গৈছিল। এই বেলি কলিকতাত বহিব খোজা বিজ্ঞান সভাত তেওঁ দু তর সম্বন্ধে এখন বচনা পাঠ করিলে। বাজমহল পাহারলৈ যোরার উদ্দেশ্য প্রধানতঃ সেয়ে। সঙ্গী হিচাপে তেওঁর লগত ময়ো গৈছিলোঁ। মই পাথর সম্বন্ধে একেবারেই অনভিজ্ঞ গতিকে চাঁওতাল বোরর নীতি নিয়ম সম্বন্ধে দুই চারি আষাব লিখিবলৈ আগবাঢ়িলোঁ।

সেইদিনা বুধবার। নির্দ্ধারিত সময়ত আমি টালি

টোপোলা বান্ধি চাওঁতাল পৰগণালৈ ওলালোঁ। আমি তাত মাত্ৰ ১০ দিন থকাৰ বন্দবস্ত। আমাৰ লগত আমাৰ আৱশ্যকীয় সকলো বস্তু লব লগীয়া হৈছিল; কাৰণ সেই ঠাইত একো বস্তু পাবলৈ নাই। গধূলি ৬।৪৫ মিনিটত 'কিউল পেচেঞ্জাৰত উঠি গন্তব্য ঠাইলৈ যাত্ৰা কৰিলোঁ। ওৰে নিশা দুয়ো বন্ধু বেচ নিৰাপদে গৈ ৰাতিপুৱা ৭।১৫ মিনিটত পিৰপৈতি ষ্টেশ্যন পালো। তাতে আমি ৰেলৰ পৰা নামি পৰিলো। ইয়াৰ পৰা আমাৰ গন্তব্য স্থানলৈ ১২ মাইল। ইয়াৰ ৬ মাইল ভাগলপুৰ আৰু বাকী ৬ মাইল চাওঁতাল পৰগণা জিলাৰ ভিতৰত পৰে। প্ৰথমতে দুটি কুলীৰ মূৰত আমাৰ বস্তু বাহানি তুলি দি বাৰা লৈকে খোজ কাঢ়ি গলোঁ। ইয়াতেই ভাগলপুৰ জিলা এৰি চাওঁতাল পৰগনা জিলা সোমালোঁ। বাৰাৰ পৰা ৬মাইল বাট অতি বেয়া বোকা পানীৰে ভৰা, বাটত কেইবা খনি নদীও পাৰ হব লাগে, গতিকে ভাবি চিন্তি ঘোঁৰাত যোৱাটোকে স্থিৰ কৰিলোঁ।

পিৰপৈতিৰ পৰা আহোতে বাটত পিলপুৰ নামে এখন গাওঁ পাইছিলো। গাওঁৰ অৱস্থা ঠিক আমাৰ পমুৱা মানুহৰ দৰে। তাত ছয় সাত ঘৰ পৰিয়াল আছে মাত্ৰ। ঘৰ দুৱাৰ বোৰ অতি সাধাৰণ। তাৰ দুমাইল দূৰত মিৰ্জ্জা গাওঁ আৰু তাৰ দুমাইল দূৰত কুমাৰ পুৰ। এনেদৰেই দেৰ মাইল দুমাইল দূৰত সেইফালৰ গাওঁবোৰ অৱস্থিত। ঘৰ দুৱাৰ প্ৰায় সকলোতে একে। ঘৰৰ বেৰ বোৰ সুদা মাটিৰ। ঘৰৰ ভিতৰবোৰ অন্ধকাৰ। খিৰিকীৰ ব্যৱহাৰ একেবাৰেই নাই। মানুহবোৰ বেছিভাগেই কৃষি জীৱী। য ধান, গোম ধান আৰু কুঁহিয়াৰৰ খেতিয়েই এইবোৰ মানুহৰ কৃষিজাত দ্ৰব্য। চাতু গুৰি আৰু কটিয়েই প্ৰধান খাদ্য। মানুহবোৰ বৰ পৰিশ্ৰমী। এডোখৰ উদং মাটি পাবলৈ নাই। যেনেতেনে এবিধ নহয় এবিধ খেতি আছেই। এই অঞ্চলত পানীৰ অলপ কষ্ট। কুৱা বহুতো আছে; কিন্তু পানী তাৰ ১০।১২ হাত তলতহে পোৱা যায়।

বাৰা পাওঁতে আমাৰ ১১ বাজিছিল। আমি তাৰে মাইনৰ স্কুল এখনত উঠিলোঁগৈ। হেডমাষ্টৰ জনে আমাক দেখা পাই বৰ আদৰ সাদৰ কৰিলে। তেওঁৰ লগত ভালেমান কথা বতৰা হোৱাৰ পিছত জা জলপান খাই পুনৰ গন্তব্য স্থানলৈ খোজ ললোঁ। বাট বেয়া হোৱাৰ বাবে আমি বস্তুবোৰ দুটা কুলীক দি ঘোৰাত উঠি যাবলৈ ধৰিলোঁ। ইয়াৰ মানুহবোৰ বৰ দুখীয়া। দুই অনা পইছাতে এটা মানুহ গোটেই দিন খটাব পাৰি।

বাৰা পাৰ হৈয়েই আমি আম জোৰা, বনোধা, পাহাৰ খান্দ, মহাৰণ আদি গাওঁবোৰ এখনৰ পাছত এখন এৰাই যাব ধৰিলোঁ। চাওতাল পৰগণাৰ ভিতৰ সোমায়েই ভাগলপুৰ জিলাৰ লগত ইয়াৰ বহুত অসামঞ্জস্যতা দেখা পালোঁ। ভাগলপুৰৰ মানুহবোৰৰ যেনেকৈ কটা আৰু চাতুগুৰি প্ৰধান খাদ্য চাওঁতালৰ প্ৰধান খাদ্য হৈছে ভাত। আগবাঢ়ি যোৱাৰ লগে বিস্তৃত শ্যামল শস্য ক্ষেত্ৰবোৰ আমাৰ দৃষ্টি গোচৰ হবলৈ ধৰিলে। কুঁহিয়াৰৰ খেতি ইয়াত একেবাৰেই নাই। অনুসন্ধান কৰি জানিব পৰা গল যে তাৰ মাটিবোৰ দহোৱাৰ বাবে কুঁহিয়াৰৰ খেতি তাত একেবাৰে নহয়।

মানুহবোৰ বৰ সৰল স্বভাৱৰ। ভালমানুহ এই ঠাই বোৰলৈ খুব কমেই আহে; গতিকে তেওঁলোকে তেনে কোনো মানুহ আহিলে দেৱতা দেখাদি দেখে। আমি যাওঁতে গাওঁৰ মানুহবোৰৰ আমাৰ প্ৰতি সন্মান দেখুৱা দেখি আমি নিজে নিজেই বৰ আচৰিত হৈছিলোঁ।

আমাৰ গন্তব্য স্থান প্ৰতাবপুৰ। সেইখিনি পাওঁতে তিনি বাজি গল। আমাক দেখা পাই স্কুলৰ হেড পণ্ডিত ওলাই আহি আদৰ সম্ভাষণ জনাই দুখন চকীত দুয়োকো বহিবলৈ দিলে। তেখেতে আমাক সেই স্কুলত এটা কোঠালীত থকা মেলাৰ সুবিধা কৰি দিলে। আমাৰ তাত একো অসুবিধা হোৱা নাছিল তেখেতৰ অতিথি সৎকাৰত আমি নথৈ আনন্দ পাইছিলোঁ। এই স্কুল খন প্ৰতাব পুৰ গাওঁৰ ভিতৰত পৰিলেও মানুহে তাক ভোজকা স্কুল বুলি কয়। স্কুলৰ অলপ দূৰতে এজন জমিদাৰ আছে। তেখেত আমি যোৱা বাতৰি পাই আমাৰ ওচৰলৈ আহিল। তেখেত বৰ অমায়িক। তেখেতৰ আচাৰ ব্যৱহাৰ আমি পাহৰিব নোৱাৰোঁ। তেখেতে আমাৰ যাতে কোনো

অসুবিধা নহয় তালৈ বিশেষ চকু দিছিল আৰু আমাৰ লগত থাকিবলৈ দুটা মানুহো দিছিল।

তাৰ পিছ দিনাৰ পৰা আমাৰ পাহাৰ ভ্ৰমণ আৰম্ভ হল। ৰাতিপুৱা সাজি পাৰি হাতত হাতুৰি লৈ ওলালোঁ। লগত গল কুলী এজন। তাৰ মূৰতে পাচি এটাতে ফটো লোৱাৰ সৰঞ্জাম, খোৱালোৱা বস্তু, স্থানৰ উচ্চতা নিৰ্ণয় যন্ত্ৰ দিক নিৰূপণ যন্ত্ৰ ইত্যাদি যাবতীয় পাহাৰ ভ্ৰমণৰ আৱশ্যকীয় আহিলা পাতি লোৱা হৈছিল। প্ৰথমতে আমি বেজাম (Bejam) পাহাৰত উঠিলোঁ। ই এখন দীঘল ৰক্ষিত জঙ্গল থকা পাহাৰ (Protected forest)। যদিও গোটেই পাহাৰ বেজাম নামে অভিহিত, তাৰ অধিবাসী



লহজিয় ৰ কালিপুজাৰ মেলাত চাওঁতালৰ নাচ

সকলে গাওঁৰ নাম অনুসৰি বেলেগ বেলেগ পাহাৰ খণ্ডৰ নাম বেলেগ বেলেগ থৈছে। আমি উঠা পাহাৰ খণ্ডৰ নাম ভোজকা। বৰ্ত্তমান ৰাজমহল পাহাৰত ডাঙ্গৰ গছ বা উল্লেখযোগ্য তেনে জঙ্গল নাই। ডাঙ্গৰ ডাঙ্গৰ গছবোৰ প্ৰায় ২০ বছৰ আগতে East India Railway line হোৱাৰ লগে লগে কাটি পেলাইছে। যিবোৰ পাহাৰত মানুহৰ বসতি নাই আৰু খেতি-বাতিৰো সুবিধা নাই তাত এতিয়া গছ আৰু হাবি বন গজিব ধৰিছে। আগেয়ে কৈছোঁ যে এই পাহাৰ বোৰৰ কিছুমান গৱৰ্ণমেণ্টে ৰিজাৰ্ভ কৰি থৈছে। তাৰ পৰা বিনা অনুমতিত কেৱে এডাল কুটাও লৰচৰ কৰিব নোৱাৰে। সেই বোৰ চোৱা চিন্তা কৰিবলৈ বহুতো চকিদাৰ ৰাখি থৈছে, আমি পাহাৰত উঠা দেখিয়েই তাৰ মানুহ বোৰে বোধকৰো আমাক কোনোবা গৱৰ্ণমেণ্ট কৰ্ম্মচাৰী বুলি ভুল ধাৰণা কৰিছিল। আমি পৰ্ব্বতত উঠা দেখিয়েই তাত থকা মানুহবোৰ ভয়তে যৰে কাম ততে পেলাই দিহা দিহি লৰ দিলে। আমি যেনিয়েই যাওঁ তেনিয়েই মানুহ পলাই ফাট মাৰে। নিৰ্ভয় দি সিহঁতক বহুত বাৰ মতাতো আমাৰ ওচৰ নেচাপিল। তাৰ পিছত পাহাৰে ২ প্ৰায় ৭।৮ মাইল মান ঘূৰি ভাগৰি পৰিলোঁ। ওপৰত ৰ'দৰ তাপ তলত খেৰণি আৰু কাঁইট। উপায় নাই, কাইটে বিন্ধি আমাক থকা সৰকা কৰিলে। আগেয়ে কোৱা হৈছে যে এই পাহাৰ বোৰৰ দুই ৰকমৰ পাথৰ পোৱা যায়। এবিধ কলা, আনবিধ পলসুৱা পাথৰ, এই পলসুৱা পাথৰ বোৰৰ স্তৰ আগ্নেয় পাথৰ বোৰৰ মাজে ২ পোৱা যায়। পাহাৰলৈ উঠি যাওঁতে এই আগ্নেয় পাথৰ আৰু পলসুৱা পাথৰৰ স্তৰবোৰ আমাৰ চকুত পৰিবলৈ ধৰিলে। এই পলসুৱা পাথৰবোৰৰ জন্ম পানীত। সেইবোৰৰ মাজত অতীতৰ গছপাত আদিৰ চিন (fossil) পোৱা যায়। আমি উঠা প্ৰায়বোৰ পাহাৰতে মোটামুটি পাঁচ তৰপ পলসুৱা পাথৰ আছে। ৬ তৰপ আগ্নেয় পাথৰ আমি পাইছিলোঁ। এই গছ পাতৰ চিন বোৰৰ পৰাই ভূতত্ত্ববিদ সকলে যুৰাচিক যুগত ইয়াৰ উদ্ভৱ হৈছে বুলি অনুমান কৰে। আজিলৈকে ইয়াৰ বয়স প্ৰায় ১২ কোটি বছৰ। পাহাৰ বোৰৰ বহুত ঠাইত কত কালৰ কলা টান আগ্নেয় পাথৰ বোৰ বতাহ বৰষুণ হিম আৰু তাপৰ প্ৰভাৱত খয় গৈ ঘূৰণীয়া হৈ বালিত পৰিণত হোৱা দেখা গৈছে।

দুইমান বজাত পাহাৰৰ পৰা নামি লোকৰাৰ নামে গাওঁ এখনত উঠিলোগৈ। ই এখন বৰ সৰু গাওঁ পৰিয়ালৰ সংখ্যা ৬৭ ঘৰতকৈ বেছি নহয়। সিহঁতৰ আচাৰ ব্যৱহাৰ বিষয়ে কিছু কিছু জানিব পাৰিলোঁ।

পাহাৰীয়া জাতি আৰু চাঁওতাল জাতিৰ মাজত অলপ পাৰ্থক্য আছে যদিও দুয়ো জাতিয়েই চাঁওতাল পৰগণা অধিবাসী। সিহঁতৰ বুৰঞ্জীৰ পৰা সেই কথা ভাল দৰে প্ৰকাশ পায়। বহুকাল আগতে ছোটনাগপুৰৰ কিছু মান মালভূমি আৰু নিৰ্জ্জন পাহাৰৰ ওৰাৱণ নামে এটা জাতি বাস কৰিছিল। সিহঁতক মুল (Mule) বা পাহাৰী বুলিছিল। সিহঁত এসময়ত বৰ অসুৰ প্ৰকৃতিৰ মানুহ আছিল। কিন্তু এতিয়া সিহঁতৰ আৰু সেই তেজ নাই। একেবাৰেই দাসত্বত পৰিবৰ্ত্তিত হৈছে। উপত্যকা আৰু পাহাৰৰ ওচৰ পাজৰে থকা ঠাইবোৰৰ মাজত প্ৰধানতঃ চাঁওতাল বোৰ বাস কৰিছিল। সিহঁত ইয়ালৈ উঠি আহে জনপূৰ্ণ দক্ষিণ পশ্চিম জিলাৰ পৰা। এই দুয়ো জাতিৰে মাটিৰ সীমালৈ বৰ কাজিয়া পেচাল হৈছিল। পাহাৰীবোৰে কেতিয়াও পহাৰৰ ওচৰত থকা সাৰুৱা মাটি চহাবলৈ চাঁওতাল বোৰক নিদিছিল।

ঘৰ পাওঁতে আমাৰ চাৰি বাজিছিল। তাৰ পৰা আহি খোৱা বোৱা হল। আমি থকা ঠাইৰ ওচৰতে এখন হাট বহে। তাত বহুতো পাহাৰী মানুহ গোট খায়। আমি কেমেৰা লৈ এখন ফটো লোৱাৰ চেষ্টা কৰিলোঁ। আমাৰ চেষ্টা বৃথা হল। যেনিয়েই কেমেৰা টোওৱা যায় তেনিয়েই অসংখ্য মানুহ গোট খায়। সিহঁতে কেমেৰা কেতিয়াও দেখা নাই। কেমেৰা বোলা বস্তুটো সিহঁতৰ মানত এক ভৌতিক কাণ্ড।

আমি তাত মাত্ৰ ১০ দিন আছিলোঁ। এই দহদিনৰ ভিতৰতে চাঁওতাল পৰগনাৰ বহুত গাওঁলৈ আমি গৈছিলো। সিহঁত বৰ নিৰ্জ্জু আৰু সৰল। কিছুমান সামাজিক আচাৰ ব্যৱহাৰ আমাৰ লগত মিলে। আমাৰ নামৰ পাছত যেনেকৈ বৰুৱা, চৌধুৰী আদি উপাধি লিখা হয়, চাঁওতাল বোৰৰো নামৰ পিছত তেনে উপাধি আছে। যেনে হেসৰস তুদু, হাচদা কিচকু, ৰচাইন সুৰ্ব্ব বাচকি বেচৰা, চোঁৰে আৰু সৰ্দি। সকলোৰে সাধাৰণ সম্বোধন মাত 'মাবনহি'—আমাৰ ডাঙ্গৰীয়া। সিহঁতে নিজে ধানৰ খেতি কৰে আৰু কাপোৰ কানি বৈ লয়। মতা মানুহ বোৰে হাল বায়, তিৰোতাবোৰে ৰোৱে আৰু দায়। পথাৰত মুনিহক সকলো কামতে তিৰুতাই সহায় কৰে। মতা মানুহ বোৰে ৬ হাত দীঘল আৰু ১॥ হাত পুতলৰ কাপোৰ মেৰাই পিন্ধে। আগ ফালৰ থোৰটো আঠুৰ ফাললৈ নমাই দিয়ে কিন্তু কাপোৰ খন হলে আঠুৰ ওপৰতে থাকে। পাছফালে এটি আচল ওলোমাই থয়। তিৰোতাবোৰে মেখেলা পিন্ধে। সিহঁতে তাক লাহা বোলে। গাত এখন বিহাৰ দৰে ছুটি কাপোৰ (পাতলি) লয়। তাৰ এটি লোচ বুকুৰ ওপৰেদি পাছফালে পেলাই লয়। আৰু আগফালৰ আচলটো ককালত খুছি থয়। তাক সিহঁতে পৰহা বোলে।



সাধাৰণ সাজ পাৰত দলদলি গাৱৰ কেইগৰাকীমান তিৰুতা আৰু ছোৱালী।

চাঁওতাল বোৰ সাধাৰণতে দুই সম্প্ৰদায়ত বিভক্ত। প্ৰথম খেৰোৱাৰ, দ্বিতীয় ঝুটিয়া। খেৰোৱাৰ খেলৰ মানুহে গৰু কুকুৰা গাহৰি আদি একো নাখায়। নিজৰ খেলৰ বাহিৰে আনৰ লগত ইহঁতৰ বিয়া বাৰু নচলে। ঝুটিয়া খেলৰ খোৱা লোৱাৰ একো বাছ বিচাৰ নাই। ইহঁতে মুৰ্গী, গাহৰি গৰু আদি একোকে বাদ নিদিয়ে। ইহঁতৰো নিজৰ ভিতৰত বিয়া বাৰু চলে। আগেয়ে হেনো দুয়ো সম্প্ৰদায়ৰ ভিতৰত বিয়া বাৰু চলিছিল। কিন্তু আজি কালি বন্ধ কৰিছে। যদি কেতিয়াবা পাকত পৰি খেৰোৱাৰৰ ছোৱালী এজনীক ঝুটিয়া লৰাই বিয়া কৰায় তেন্তে ছোৱালীক ঝুটিয়ালৈ তুলি লয়। আৰু যদি ঝুটিয়াৰ ছোৱালী খেৰোৱাৰে বিয়া কৰায়

তেন্তে সেই ছোৱালীক খেৰোৱাৰৰ জাতত তুলি লয়। এই খিনিতে কথা হৈছে খেৰোৱাৰে ঝুটিয়াৰ হাতে ৰন্ধা বঢ়া একো নেখায় কিন্তু ঝুটিয়াই খেৰোৱাৰৰ হাতে সকলো খায়। সেই কাৰণে ঝুটিয়াৰ ঘৰৰ ছোৱালী যদি খেলোৱাৰে বিয়া কৰাই নিয়ে সেই ছোৱালী কেতিয়াবা বাপেকৰ ঘৰলৈ আহিলে নিজে ৰান্ধি বাঢ়ি খায়। যদি খেৰোৱাৰৰ ছোৱালী কেনেবাকৈ ঝুটিয়াৰ ঘৰত পৰে তেন্তে বিয়াৰ পিছৰ পৰা সেই ছোৱালীৰ হাতে বাপেক মাকে নেখায়। ঘৰলৈ আহিলে ছোৱালীক ৰান্ধি বাঢ়ি দিয়ে কিন্তু ৰান্ধনি ঘৰত সোমাব নিদিয়ে। তেওঁলোকে কয় যে নীচ জাতৰ পৰা ছেৱালী আনিলে নিজৰ জাতত তুলি লব পাৰি কিন্তু ভাল জাতৰ ছোৱালী নীচ জাতলৈ গলে তাৰ জাত যায়। খেৰোৱাৰে কয় যে সিহঁত ঝুটিয়া খেলতকৈ ভাল জাতৰ। এই দুয়ো জাতৰ মানুহে দাৰু (মদ) খায়। মদ খোৱা সময়ত সিহঁতে গুৰু গোসাই একো নেমানে। গতিকে তেনে ঠাইত নিজৰ নিজৰ মান নিজে ৰাখি চলিব লাগে।

এদিন পাহাৰ বগাই ফুৰোতে গৰু চৰাই থকা দুটি লৰা আৰু এজনি ছোৱালী লগ পালোঁ। আমি ওচৰ চপা দেখি লৰা দুয়োটা লৰ মাৰিলে। ছোৱালী জনীক অভয় দিয়াত তাই লৰ নেমাৰি আমাৰ ওচৰলৈ আহিল। তাইৰ লগত কথা কোৱাত নিৰ্ভীকতা দেখি আমি মুগ্ধ হৈছিলোঁ। তাইৰ কথাবাৰ্ত্তাৰ পৰা এইটো ভালকৈ বুজা যায় যে সিহঁতে এতিয়াও প্ৰকৃতিৰ সন্তান। সিহঁতে আধুনিক সভ্য জগতৰ আওভাও নেপায়। হিন্দিত তাই আমাৰ লগত কথা পাতিছিল। তাই কথা কওঁতে নিঃসঙ্কোচে সকলো কথা কৈছিল। তাইৰ মুখত স্বাধীনতাৰ ভাৱ ফুটি উঠিছিল। প্ৰত্যেক কথাকে হাঁহি মুখে কৈছিল। আমাৰ যে অসমীয়া ছোৱালীবোৰ এই বিষয়ত ইহঁতৰকৈ ভালেমান পিছপৰা, এই কথা ভাবিলেও দুখ লাগে।

কালীপূজাৰ পিচদিনা চাওঁতালবোৰৰ মাজতে বহুত ঠাইত মেলা হয়। তাত আমাৰ বহাগ বিহুৰ দৰে ডেকা গাভৰুৱে মিলি নাচে। লাহলদিয়া নামে মেলাই আটাইতকৈ ডাঙৰ। আমি থকা ঠাইৰ পৰা ই ছয় মাইল দূৰত। বহু কষ্ট কৰি ভাটিবেলা সেই খিনি পালোঁগৈ। অসংখ্য মানুহৰ সমাগম হৈছিল, বিৰ দিও বাট পাবলৈ নাই। ভালেমান পৰ চেষ্টা কৰাৰ মূৰত খেলাৰ মাজ পালোঁগৈ। সিহঁতৰ নাচ সময় মতে আৰম্ভ হল। সিহঁতৰ নাচ অবিকল আমাৰ বিহু নাচৰ দৰে। সাধাৰণতে ২০.২৫ জনী গাভৰু ছোৱালীয়ে গছ পাত বা ফুলেৰে সজ্জিত হৈ হাতত খুতি তাল লৈ বৃত্তাকাৰে ঘূৰি ঘূৰি নাম গাই২ নাচে। সেই জুমৰ মাজত এজন বাদ্যকৰ ডেকাই ঢোল পেপা আদি বজায়। একো একোখন মেলাত এনেকুৱা বহুত জুম থাকে। জুমৰ বাহিৰ ফালে এদল ডেকাই সাধাৰণ সাজ পিন্ধি নাচে। মতা বিলাকৰ হাতত প্ৰত্যেকৰে একো ডাল লাখুটি থাকে। সিহঁতে নাম নেগায়। এদলৰ ভাগৰ লাগিলে আন এদল আহি সিহঁতৰ ঠাই পূৰায়। নাচা ডেকা গাভৰুৰ মাজত একো বেয়া ভাব নাই। তাত অশ্লীলতাৰ লেশ মাত্ৰও নাই। সকলোৱে ভাই ভনীৰ দৰে মিলি জুলি ৰং ধেমালি কৰে। ইয়াত বিয়া কৰোৱা নকৰোৱা ডেকা গাভৰু সকলোৱে যোগ দিয়ে। আমাৰ বিহুৰ দৰে এই নাচ শেষ হোৱাৰ পাছত ভালেমান সময়ত প্ৰণয় ডোলত আবদ্ধ হোৱা ডেকাই গাভৰুক লৈ পলোৱাৰ কথা শুনা যায়। কথা যেতিয়া জনাজাত হব তেতিয়া দুয়ো পক্ষৰ মাজত মিত্ৰতা স্থাপন কৰি খোৱা লোৱা কৰে তাৰ পাছত দুয়োৰে বিয়া হয়। ইহঁতৰ বিয়া অতি সাধাৰণ, জাকজমকবিহীন। তাত সিহঁতৰ বিশেষ খৰচ একো নহয়। বিয়াৰ দিনা দৰা কন্যা দুয়ো সমাজৰ মাজত নাচিব লাগে। নচাৰ পাছত মিতিৰ কুটুমক খুৱাই বুৱাই বিয়াৰ কাৰ্য্য শেষ কৰে।

গধূলি পৰত নাচ শেষ হোৱাত আমিও থকা ঠাইলৈ উভতি আহিলোঁ। পিছৰ দিনা পুৱাৰ পৰা দৈনন্দিন কাৰ্য্য আৰম্ভ হল। পাহাৰ বগাই হাবি ভাঙ্গি নানান তৰহৰ শিল সংগ্ৰহ কৰাই আমাৰ ঘাই কাম আছিল। সেই দৰে সাপ বাঘ থকা হাবিত সোমোৱাত আমাৰ সাহস দেখি তাৰ অধিবাসী সকল স্তম্ভিত হৈছিল।

সেই অঞ্চলত প্রতাবপুৰ বোলা ঠাই ডোখৰেই কিছু উন্নত ধৰণৰ। তাত ভদ্রলোকৰ বসতি আছে। স্কুল কলেজত পঢ়া লৰাবোৰ সংখ্যা নিচেই তাকৰ নহয়। তাত থাকি আমাৰ বৰ ভাল লাগিছিল। সকলোৱে আমাক আদৰ সম্মান কৰিছিল, বিশেষকৈ তাৰ জমিদাৰ জনে। সেই অলপ দিনৰ ভিতৰতে আমি তাত থকা লোক সকলৰ আপোন মানুহৰ দৰে হৈছিলো। তাত মুঠ ১০ দিন থকাৰ পাছত সকলোবে পৰা বিদায় লৈ বৰ মনে ঘৰমুৱা হলোঁ। আমি গুচি অহাত সকলোৱে বেজাৰ কৰিছিল! আহোতে আমাক এমাইল মানলৈ বহুত মানুহে আগবঢ়াই দৈছিল।

———

শ্রীশ্রীসৰস্বতী।

—শ্রীযুত হৰিচন্দ্র ভট্টাচার্য্য বি-এ,

প্রতিবছৰে মাঘমাহৰ শ্রীপঞ্চমী তিথিত শ্রীশ্রীসৰস্বতী দেৱীৰ পূজা কৰা হয়। প্রধানকৈ ছাত্র ছাত্রীৰ পূজা। সৰ্ব্বসাধাৰণৰ বিশ্বাস সৰস্বতী—দেৱী, শিক্ষাৰ্থীৰ শিক্ষা-দাত্রী, বিদ্যার্থীৰ বিদ্যাপ্রদায়িনী, জ্ঞানলিপ্সুৰ জ্ঞানপ্রসবিনী। সৰস্বতী—এই নামটোত এটা বিশেষত্ব আছে। কাৰণ ই এখন নদীবো নাম। তদুপৰি বীণাপাণি সৰস্বতী দেবী যিদৰে হিন্দুৰ নমস্যা চিৰাৰাধ্যা দেৱী, পুণ্যসলিলা সৰস্বতী নৈও তদ্রূপ তেওঁলোকৰ চিৰনমস্যা পবিত্র তীর্থ স্থলী। এতেকে স্বাভাৱিকতে ধাৰণা হয় যে এই নৈৰ সৈতে সৰস্বতী দেৱীৰ কিছু নহয় কিছু পৰিমাণে সম্বন্ধ থকা সম্ভৱ।

পুৰাণৰ কাল্পনিক কাহিনীয়ে থাওকতে কৈ পেলাইছে যে সৰস্বতী দেৱী সৰগত থকা নাৰায়ণৰ গঙ্গা লক্ষ্মীকে ধৰি তিনি গৰাকী পত্নীৰ ভিতৰৰ অন্যতমা। তিনি সতিনীৰ পৰস্পৰ কাজীয়া লাগিলত শাপভ্রষ্টা হৈ তেওঁ আহি ধৰাতলত নদীৰূপ ধৰিব লগাত পৰিলহি। আকৃতি পৰিবর্ত্তনত যেতিয়াই যেনে নহওক জন্মত সি দেৱী তাত দেৱী অংশ আৰু দেৱী স্বত্তাৰ বর্ত্তমান থাকিবই। পুৰাণে এই নদীৰ পবিত্রতা আৰু বিশুদ্ধতাৰ বিষয়ে বিশদ ব্যাখ্যা আলোচনা কৰি ইয়াক হিন্দুৰ স্নান দান তর্পণৰ উপযুক্ত পুণ্যস্থলী বুলি নির্ণয় কৰি গৈছে। ইয়াক ইমান পবিত্র বুলি ধৰা হয় যে হিন্দুৰ সন্ধ্যা পূজাৰ নিত্য নৈমিত্তিক জনশুদ্ধি মন্ত্রতো ইয়াৰ নাম সংশ্লিষ্ট কৰি ৰখা হৈছে যেনে,—"গঙ্গেচ যমুনে চৈব গোদাবৰী সৰস্বতি। নর্ম্মদে সিন্ধু কাবেৰী জলেঽস্মিন সন্নিধিং কুরু।"

সৰস্বতী নৈৰ অস্তিত্ব বৈদিক যুগৰে পৰা। ঋগ্-বেদত সৰস্বতী নৈলৈ স্তুতি গান বচনা কৰা আছে। বর্ত্তমান থকা নৈ বোৰৰ ভিতৰত এই সৰস্বতী নৈনো কোনখন হব পাৰে এই কথাই; মীমাংসা নৈও পণ্ডিত সকলৰ তর্কবাদ চলি আছিছে। এদলে কয় বর্ত্তমানৰ সিন্ধু নৈ খনেই আগৰ সৰস্বতী নৈ। কাৰণ, বেদৰ এঠাইত আছে—"সৰস্বতী তু পঞ্চধা" বর্ত্তমান সিন্ধু (Indus) সম্মিলিত পাঁচখন নৈ (পঞ্চআপ্) ৰ পৰাই পঞ্জাব নামৰ আদি উৎপত্তি হৈছে বুলি বিশ্বাস হয়। "পঞ্চনদ্যঃ আপীযন্তি সস্মোতসঃ" এই উক্তিয়েও সেই

এক শব্দ ব্যুৎপত্তিলৈকে আঙুলিয়াইছে। কোনো কোনোৱে সৰস্বতী নৈ যমুনা আৰু চাট্‌লেজ (Sutlej) নৈৰ মাজত থকা এখনি সৰু নৈ বুলিছে অনুমান হব। নিঘণ্টুৰ শব্দ ব্যাখ্যাত সৰস্বতী, নামটো আকৌ সাধাৰণ নৈৰ নাম বুলিছে উল্লিখিত আছে। মুঠতে যেয়ে যিহকে নকওক, আর্য্যভূমি ভাৰতবর্ষত সৰস্বতী নামেৰে এখনি যে সুপ্রসিদ্ধ পবিত্র নৈ আছিল তাত অকণো সন্দেহ নাই।

আমাৰ পুৰাণ বিলাক যদিও আমাৰ অতীত সাহিত্য আৰু ইতিহাসৰ এক প্রধান অঙ্গ তথাপি পৌৰাণিক আখ্যানবোৰ সবহভাগ সাধাৰণতে ইমান অতিৰঞ্জনা মূলক যে পাঠক পাঠিকাৰ সেই কথা বোৰৰ ওপৰত শ্রদ্ধাৰিকতে বিশ্বাস কমি যায়। অথচ ইপিনে এই অযথাৰাব প্রবল কল্পনা শক্তিক নমলাগিও নোৱাৰি। অন্যান্য ঠাইৰ পুৰণা সাহিত্যতো (Classical Literature) এনেবোৰ অতিৰঞ্জনাময় বিবৃতি নোহোৱা নহয়। পুৰণি গ্রীচ সাহিত্যত এজন যুবক এপাহি ফুললৈ পৰিবর্ত্তন হোৱাৰ কথা পোৱা যায়, এজনে আকৌ জলকুৱঁৰীৰ প্রেমপাশতে পৰিছিল বোলে ইত্যাদি। সি যি নহওক ওপৰত উল্লেখ কৰি অহা মতে পৃথিবীত সৰস্বতী নৈ সৰগৰ সৰস্বতী দেৱীৰ পৰিবর্ত্তিত আকৃতি বুলি গুণাকৈ কৈ গৈছে।

পৌৰাণিক কথাটৈ কাণ নকৰি সাধাৰণ ভাবে চালে আমাৰ অনুমান হয় যে সৰস্বতী নৈৰ পৰাহে সৰস্বতীৰ দেৱী মূর্ত্তি আৰির্ভাৰ হৈছে হব পায়। আমি জানো সকলো প্রাকৃতিক সৌন্দর্য্যই আর্য্য ঋষি সকলৰ মন প্রাণ আকর্ষণ কৰিব পাৰিছিল। সেই বুলি বৈদিক ঋষি সকলে কেতিয়াও কোৱা নাই বা ভবা নাই যে ভগবান কেৱা জনো। তেওঁবিলাকৰ সর্ব্বসম্মত সিদ্ধান্ত সদায় এই যে ভগবান একেজন "সর্ব্বং ব্রহ্মময়ং জগৎ", তেওঁৰ নাম ধাম কাৰ্য্যকে মুঠেই বেলেগ হব পাৰে। বেদৰ এঠাইত আছে—যাৰ এক অঙ্গ সাগৰ তেওঁ এই এটোপাল পানীতো বিদ্যমান,। বেদৰ এই মত ইংৰাজীৰ panth eism। এটোপাল পানীও যেতিয়া বৈদিক ঋষি সকলৰ ভক্তি-দৃষ্টিৰ অগোচৰ হৈ থাকিব পৰা নাই। তেন্তে সৰস্বতী হেন পৰিত্র প্রসিদ্ধ নৈ এখনৰ কথা নো তেওঁলোকে বাদ দিব পাৰে কেনেকৈ? পানীৰ প্রবল সৌত, পানীৰ বাহ্যিক আকৃতি এপিনে যিমান দৃষ্টি মনোহৰ, আনপিনে তাৰ উৎপত্তি কথাও সিমান বহস্যময়। পানী অবিহনে সৃষ্টি স্থিতি অসম্ভৱ। অথচ, পানীতেই হয় সংহাৰৰ তাণ্ডব লীলা। "প্রলয় পয়োধি জল"—ই তাকেই উদ্ঘোষাইছে। এতেকে খুব সম্ভৱ সমযত জলরূপিনী সৰস্বতী নদীয়েই লাহে লাহে আহি কৰি ভক্তসৱৰ বিৰাট কল্পনা কুঞ্জত মূর্ত্তি ৰূপ ধৰিলেহি। যদিও আচলতে ভগবান এক, তথাপি এনে এটা সময় আছিল যে ভিন ভিন সংখ্যাতীত দেৱদেৱীৰ সৃষ্টি-কল্পনা হব ধৰিলে, আৰু আইন কি মানুহৰ দৰে দেৱ দেৱী সৱকো পতি পত্নী, নাতিনী, বোৱাৰী আদি সম্বন্ধেৰে জড়িত কৰা হল। ব্রহ্মা, বিষ্ণু, মহেশ্বৰ—এই তিনি মূর্ত্তি পৌৰাণিক সৃষ্ট প্রৱল হৈ পৰিল। ইয়াৰ ভিতৰত সৰস্বতী দেৱীক ব্রহ্মাৰ ভার্য্যাৰূপে সংযোজিত কৰা হল। ইয়াৰ এটি কাৰণ হব পাৰে এই যে ঋগ্বেদত ব্রহ্মা আছিল স্তুতিগীতৰ প্রধান অধিষ্ঠাতা দেৱ (God of prayers) আৰু সৰস্বতীও অনেক স্তুতি গীতৰ নদীৰূপিনী দেৱী (Goddes of hymns)।

সাধাৰণ ভাবে ভাবি চালেও (সৰস্বতী) নৈৰ লগত সৰস্বতী দেৱীৰ কোনো কোনো বিষয়ত বিশেষ সামঞ্জস্য থকা দেখা যায়। নৈয়ে যিদৰে পৃথিবীৰ মল নাশ কৰি যি পিনে বৈ যায় তাৰ চৌদিশ পবিত্র কৰি তোলে সৰস্বতী দেৱীৰ কার্য্য প্রভাৱেই ভক্তৰ প্রতি প্রায় তেনে। বিদ্যাৰ বলত বিপুল মানসিক বাঙ্ময় উজ্জ্বল হয়, মনৰ কলুষ অজ্ঞান আন্ধাৰ সমূলি দূৰীভূত হয়, বিঘ্নাদিৰ সঙ্গ প্রভাৱত অসৎ পাপী জনো সৎ পুণ্যাত্মা হবলৈ বাধ্য হয়। এতেকে সৰস্বতী নৈক সময়ত সৰস্বতী দেৱী ৰূপে পৰিকল্পনা কৰা একো আশ্চর্য্য বা অসম্ভৱ কথা নহয়। আহোম ভাষাত দেৱীক 'দি' বোলে। নদীক দেৱী বুলি মনা গতিকেই হব পায়, অতীতৰ আহোম বাজা অসমত ইমানবোৰ 'দি' সংযুক্ত নৈ আছে যেনে দিখৌ, দিছাং,

দিহিং ইত্যাদি। ইংরাজ লিখকর লিখাতো নৈক মাতৃদেৱী বুলি বর্ণনা করা দেখা যায় যেনে 'টেমচ নদী স্বকপিনী সুজলা মাতৃ দেৱী, (" The lovely mother of the Thames")

যদিও স্বরস্বতী নৈব সৈতে সরস্বতী দেৱী-মূর্ত্তি কল্পনাৰ সম্বন্ধ থকা যেন অনুমান হয় তথাপি সরস্বতী জলদেৱতাও নহয়। তেওঁ বিদ্যাধিষ্ঠাত্রী স্থলদেৱতা। বিদ্যার্থীসে বিদ্যালয়ত তেওঁৰ উপাসনা করে। যদি তেওঁ বিদ্যাধিষ্ঠাত্রী দেৱী হল তেন্তে আমি ভাবি লব পারো যে তেওঁৰ উপাসনা অবিহনে জ্ঞানোপার্জ্জন বিদ্যালাভ সিদ্ধি অসম্ভব। সেয়ে সঁচা হবলৈ হলে সর্ব্বনাশ। দেৱসেৱী তেতিয়া এমুঠি হিন্দুৰ মাথোন সুকীয়া একেচেতীয়া বস্তু হৈ পৰিল। তেতিয়া অহিন্দু সকলে কৰিব কি, ভাবিব কি! তেওঁলোকৰ ভুল বিচাৰক (biased) বুলিয়েই বা আমি কওঁ কিদবে। আচলতে, কথা সিমান গভীৰ একো নহয়। পূজাৰ বাহিক আড়ম্বৰ যেনে মূর্ত্তিস্থাপন, ধূপধূনা উপকৰণ নৈবেদ্যাদি নহব পাৰে সঁচা, কিন্তু সরস্বতীৰ আন্তৰিক উপাসনা অবিহনে কেত্রে কেতিয়াও শিক্ষালাভ কৰিবলৈ সমর্থ হব পৰা নাই। বিদ্যাধিষ্ঠাত্রীৰ মূর্ত্তি মানস বাজ্যত জ্ঞাত বা অজ্ঞাত ভাবে স্থাপিত হবই লাগিব। হিয়াৰ ভক্তিপুষ্প অন্তৰৰ শ্রদ্ধাঞ্জলি অর্পণ নকৰাকৈ কেৱে কেতিয়াও অধ্যয়ন বিষয়ত কৃতিত্ব দেখুৱাব নোৱাৰে, তেওঁৰ বিদ্যালাভ চেষ্টা সাফল্যমণ্ডিত নহয়। আমাৰ অসমীয়া শিশুৰে নিতৌ পাঠাৰম্ভৰ আগতে এটি সুৱলা অসমীয়া শ্লোক গোৱাৰ প্রথা আছে—"সৰস্বতি, সৰস্বতি, কণ্ঠে কলাপী; লোকে বোলে সৰস্বতী, আমি বোলো আই, যিখিনি পাহৰো আই দিবা সোঁৱৰাই" আজিকালি ইংৰাজী শিক্ষাৰ প্রাধান্য প্রভাৱত এই অভ্যাস উঠি যোৱাটো দুখৰ বিষয়।

সৰস্বতী দেৱীৰ অন্যান্য নাম সুবুদ্ধি, কবিতা, মেধা, প্রতিভা, স্মৃতিধা ইত্যাদি। বিদ্যাশিক্ষা বিষয়ত উন্নতি লাভ কৰিবলৈ হলে সুবুদ্ধি, মেধা, প্রতিভা, স্মৃতি আদি গুণবোৰ আয়ত্ত কৰিবলৈ প্রথমে চেষ্টা কৰিব লাগে। এই অমূল্য গুণাবলীক আয়ত্ত কৰাকে হিন্দু সকলে আচলতে সৰস্বতী উপাসনা নাম দিছে বুলি ধাৰণা হয়। ইয়াত পৌত্তলিকতা একো নাই, অন্ধবিশ্বাস কুসংস্কাৰ বুলি কলেও কওঁতাৰ অবিবেচনা বা অজ্ঞতাৰ হে পৰিচয় দিব। যদিও বিংশ শতাব্দীৰ মানুহক সংসাবাসক্ত অর্থাসক্ত (materialistic) বুলি কোনো কোনোয়ে তেওঁলোকৰ ওপৰত ঘৃণাবাদ আবোপ কৰিব খোজে তথাপি বর্ত্তমান বৈজ্ঞানিক উন্নতিলৈ লক্ষ্য কৰিলে সৰস্বতী দেৱীৰ বিশুদ্ধ ভাবে সার্ব্বজনীন উপাসনা হৈছে বুলিয়েই হে ধৰিব পাৰি। মানৱ সমাজৰ অফুল উন্নতি সাধক বিজ্ঞান বিশাৰদ সকলে ফলফুল দ্রব্যাদিৰে সৰস্বতী দেৱীক বিধি মতে পূজা আবাধনা নকৰিলেও তেওঁলোকে কঠোৰ ব্রত নিয়মিত তপস্যা অৱলম্বন কৰি সুবুদ্ধি, মেধা, স্মৃতি আদি উন্নতি সাধিনী গুণ ক্ষমতা বোৰ যতনে আয়ত্ত কৰিছে নিশ্চয়; অর্থাৎ সৰস্বতী দেৱীৰ উপাসকৰ ভাষাত কবলৈ গলে তেওঁলোকে বিদ্যাধিষ্ঠাত্রী সৰস্বতী দেৱীৰ কৃপা লাভ কৰিবলৈ সমর্থ হৈছে। এয়ে প্রকৃত সৰস্বতী-বিনোদ।

দেৱী স্বরূপে সৰস্বতী শুক্লবর্ণা। তেওঁ "শ্বেত-পুষ্পোপশোভিতা, শ্বেতাম্বৰধবা, শ্বেতগন্ধানুলেপনা, শ্বেতবীণাধবা, শ্বেতাসনাবভূষিতা" ইত্যাদি। সকলো তেওঁৰ বর্ণা। ফুল, বর্ণা অলঙ্কাৰ, বকুল বক আদি বর্ণা ফুলবোৰ, গাখীৰ ঘিঁউ মাখন আদি বর্ণা খাদ্য দ্রব্যবোৰ তেওঁৰে প্রশস্ট। সৎস্কৃত সাহিত্যত যশস্কাৰ বর্ণা বস্তুকে বুলি কল্পনা কবা হয়—"যশসি ধবলতা"। সৰস্বতীও জ্ঞান গবিমা, মান যশস্যাদিৰ হেতুভূতা দেৱী। এই নিমিত্তেই হব পাৱ তেওঁৰ বৰণ শুভ্রবর্ণা বুলি ধবা হৈছে।

তেওঁ বীণা পুস্তকধাবিনী। হাতত কিতাপ দি তেওঁৰ অখিল বিদ্যাথী সমূহৰ শিক্ষাস্থলী বা জ্ঞান হেতু বুলি দেখুউৱা হৈছে। ইপিনে স্মৃতি, মেধাদি নামেৰে নামকৰণ কবি সেই মহতী শক্তিবোৰক আয়ত্ত কৰিবলৈ জগত বাসীক ইঙ্গীত দিয়া হৈছে। সৰস্বতী দেৱীৰ হাতত কিতাপ এখনি দিয়াৰ আৰু এক তত্ত্ব নিহিত আছে। সংসাৰ খনৰ অৱস্থা যেতিয়া যেনেটুকুৱাই নহওক জ্ঞানলিপ্সা আৰু বিদ্যাকাঙ্ক্ষা মানৱ অন্তৰত কেতিয়াও শূন্য হব নোৱাৰে।

আনকি যেতিয়া প্রলয়াচ্ছন্ন হৈ জগত ডুবি যাব আৰু কোনো বস্তুবেই একো চিনচাব নাথাকিব তেতিয়াও এই দেৱী জাগ্রত থাকিব অর্থাৎ জ্ঞানলিপ্সা থাকিব তেতিয়াও। পুৰুষ পুৰুষানুক্রমে বিদ্যাৰ অস্তিত্ব, জ্ঞানৰ প্রভাব-বিস্তাৰ অব্যাহতাৰী। আজিকালি আমি যি বিদ্যা বা জ্ঞান গবিমাৰ অধিকাৰী হৈছোহঁক তাক আমি থাওকতে শূন্যৰ পৰা পাইছো নে? ই মাত্র বহুধাৰ অন্তৰত লীন গৈ থকা জ্ঞানবীজৰ উদাগমন নহয় জানো? আধ্যাত্মিক ভাব আৰু কৰিব ভাবগভীৰ মৃদু ভাষাত ইয়াকেই বোলা যায় জ্ঞানদায়িনীৰ কৃপাদান। অথবা এইদৰেও কোৱা হয় যে নিত্যবৃদ্ধ সনাতন পুৰুষৰ হৃদয়ত প্রলয়কালতো সঞ্জাকপিনী বাগ দেৱী অধিষ্ঠান কৰি থাকেহি। এই এই কাৰণে সৰস্বতী মূর্ত্তিৰ হাতত জগতৰ মূল জ্ঞান-গ্রন্থ বেদ লৈ থকা দেখুউৱা হৈছে। 'বেদ' মানে আচলতে জ্ঞান। সৃষ্টিৰ আদি কাৰণো জ্ঞান। পুৰুষৰ যেতিয়া জ্ঞান হল যে প্রকৃতি বিনে সৃষ্টি নহয় তেতিয়াহে সংসাৰ সৃষ্টি হৈছে।

তেওঁৰ হাতত বীণা কিয়? সৃষ্টিৰ পাতনিৰে পৰা জগৎব্যাপী প্রকৃতিৰ যি কোলাহলময় ঐক্যতান সঙ্গীত দিনে নিশাই চলি আহিব ধৰিছে, যাৰ আবহমান সুৰ সাগৰত মানৱ মানৱী পশুপক্ষী অজ্ঞাতভাবে আপ্লুত, সেই চিৰন্তন সুমধুৰ সঙ্গীতলহৰীৰ আধৰ্শকে দাঙি ধৰি বাখি আছিছে তেওঁৰ সেই দৃষ্টি মনোহৰ বীণাযন্ত্রিনিয়ে। সঙ্গীত বিদ্যাৰ্থীয়ে এই সঙ্গীতনিপুণা দেৱীৰ উপাসক নহলে তেওঁৰ বাঞ্ছা সিদ্ধিৰ উপায় ক'ত? সঙ্গীতো যে বিদ্যাৰ উৎকৃষ্ট অঙ্গ। সৰস্বতীক যেতিয়া অধিষ্ঠাত্রী দেৱী বুলি ধবা হয় তেওঁক 'বীণাপাণি' স্বরূপে কল্পনা কবাও যথোচিত যুক্তিযুক্ত হৈছে। এই নিমিত্তে সৰস্বতী দেৱীৰ অন্য এটা নাম "সঙ্গীতজ্ঞানদাত্রী"। সাহিত্য কণী সঙ্গীত সাধকে এই নিমিত্তেই কাব্যবচনাৰ প্রাৰম্ভণতে তাৰস্বৰে গায় "মানসে বমতাং নিত্যং সর্ব্বশুক্লা সৰস্বতী।" বীণাৰ ধ্বনিৰ লগত হাঁহৰ মাতৰ সামঞ্জস্য বেছি। এতেকে সৰস্বতীমূর্ত্তি উদ্ভাবক সকলে এপিনে যেনেকৈ তেওঁক 'বীণাপাণি' বুলি সজ্ঞা দিছে আনপিনে তেওঁক "শ্বেতহংসবাহিনী" বুলিও বর্ণনা কবিছে।

বর্ত্তমানৰ প্রচলিত বিধিমতে এই পূজা কিমান দিনৰ আগৰ পৰা চলি আছিছে তাৰ সঠিক মীমাংসা কবা টান। বোধ হয় পৌবাণিক যুগৰ আগৰ পৰাই ই এইদৰে চলি আহিব পায়। আশ্বলায়ন, যাজ্ঞবল্ক্য আদি মহাপুৰুষসকলে এই দেৱীক আবাধনা কবাৰ কথা শুনা যায়। আশ্বলায়নে এই দেৱীৰ উপাসনা কবিছেই হেনো ব্রহ্মজ্ঞান লাভ কবিবলৈ সমর্থ হৈছিল। শুক্রৰ শাপত বিদ্যাহীন যৈ যাজ্ঞবল্ক্য মুনি এবাৰ পৰাশৰ বাবে সূর্য্যৰ ওচৰলৈ গল। সূর্য্যই তেওঁক লুপ্ত হেবোৱা বিদ্যালাভ কবিবলৈ সৰস্বতীক আবাধনা কবিবলৈ উপদেশ দিলে। সেই উপদেশ অনুসৰি তেওঁ সৰস্বতী দেৱীক আবাধনা কবি দেৱীৰ প্রতি নানা স্তৱ স্তুতি গাই কাকুতি-মিনতি কবিব ধবিলে। সেই স্তৱৰ একাংশ—

"ক্ষমাং কুরু জগন্মাতঃ হততেজসং।
শুক্ল শাপাৎ স্মৃতি ভ্রংশ বিদ্যাহীনস্য দুঃখিতস্য ॥
জ্ঞানং দেহি স্মৃতিং দেহি বিদ্যাং বিদ্যাধিদেবতে।
প্রতিভাং কবিতাং দেহি শক্তিং শিষ্যোপ্রবোধিকাম্ ॥"

ইত্যাদি।

মুনিৰ স্তুতিত প্রসন্না হৈ বিদ্যাদেবীয়ে তেওঁক সুকবীন্দ্র আৰু বৃহস্পতি সম বাগ্মীবীৰ হবলৈ বৰ দিলে। উদ্দেশ্য তেওঁৰ সফল হল। মহাকবী কালিদাসেও বিদ্যাবাগী সৰস্বতীৰ বৰ পাইছিল বুলি কোৱা কথা (Tradition) শুনা যায়। নিজৰ অজ্ঞতাৰ বাবে অনেক ঠাইত অইন কি প্রাণবল্লভা নিজ ভার্য্যাৰ কাষতো লাঞ্ছিত অপমানিত হৈ শেষত তেওঁ অজ্ঞান নাশিনী দেৱীৰ আবাধনা কবিলে। বিদ্যাদেৱীয়ে তেওঁক বৰ দিলে। সেই বুলি বিনা যত্নে কালিদাসেও অমৰ বিদ্যোৎসাহী বুলি নাম বাখি যাব পৰা নাই। আশ্বলায়ন মুনিয়ে তেওঁৰ হেবোৱা বিদ্যা নিজৰ অসাধাৰণ প্রতিভাৰ জোৰত আৰু দৈৱবলত পাব পাবে, সি বেলেগ কথা। কিন্তু কালিদাসে পুথা বাৰ বছৰকৈ কাল নিজ ঘৰ এৰি গৈ অইন বিদ্যা কেন্দ্রস্থলত দিনে নিশাই কঠোৰ পৰিশ্রম কৰিছে শিক্ষিত বিদ্বান্ বুলি পৃথিবীত অমৰ কীর্ত্তি বাখি যাব পাৰিছে। এয়েই

বিদ্যাদেৱীৰ প্ৰকৃত আৰাধনা "ছাত্ৰাণামধ্যয়নং তপঃ" নিয়মিত ভাৱে অধ্যয়ন কৰা ছাত্ৰক শিক্ষাব্ৰতী, তপস্বী আদি নামেৰে অলঙ্কৃত কৰিব পাৰি। ছাত্ৰই তপস্বী নাম লভিবলৈ দেহত ভস্ম লেপন লব নালাগে, গেৰুৱা বস্ত্ৰ পৰিধান কৰিবৰো আৱশ্যক নকৰে, ঘৰবাৰী এৰি বনবাসী হৱৰো দৰ্কাৰ নাই, অথবা সন্ধ্যা পূজা বাবে দুমাইল দূৰলৈ দেৱমন্দিৰ বিচাৰিও যাব নালাগে।

'শতাতপ' এখন ধৰ্ম্মশাস্ত্ৰ, ইয়াতো ব্ৰহ্মাৰ প্ৰেয়সী সৰস্বতীক আৰাধনা কৰিবলৈ কোৱা আছে। এইবোৰ বিবিধ উদাহৰণৰ পৰা বুজা যায় যে সৰস্বতী পূজা কালিদাস, আশ্বলায়ন 'শতাতপ' পুথি প্ৰেণেতা সকলৰ দিনৰ আগৰ পৰাই প্ৰচলিত হৈ আহিছে।

সৰস্বতীৰ অন্য নাম বাগদেৱী। তেওঁৰ কৃপালাভ কৰিব পাৰিলে নিৰ্ব্বাকৰো বাক্‌সিদ্ধি হয়। সেইদেখি বাণী উপাসকে সকাতৰে গাইছে—

"যয়া বিনা জগৎ সৰ্ব্বং মূকমুন্মত্তবৎ সদা।
বাগধিষ্ঠাত্ৰী দেৱী যা তস্যৈ বাণ্যৈ নমো নমঃ॥

ইংৰাজ লিখক ৱাৰ্ক (Burke) ৰ দৰে ভুবনবিখ্যাত বক্তা জ্ঞাত ভাবে নহলেও অজ্ঞাত ভাবে বাগদেৱীৰ উপযুক্ত ভক্ত বুলি আমাৰ বিশ্বাস হয়। সান্তঃকৰণে বাক শক্তি কামনা তেওঁ কৰিছিল নিশ্চয়! আমাৰ মনত এয়ে বাণী পূজা। বাক্ সিদ্ধিৰ বাবে কালিদাসে জগতৰ পিতৃ মাতৃক বন্দনা কৰি গৈছে—"বাগৰ্থ প্ৰতিপত্তয়ে জগতঃ পিতৰৌ বন্দে পাৰ্ব্বতী পৰমেশ্বৰৌ।"

হিন্দু অহিন্দু সকলোৰে নিতৌ পুৱা গধূলি নামকীৰ্ত্তন কৰাৰ ব্যৱস্থা আছে। অবিদ্যা, অনাচাৰ মূৰ্খতাদি দোষবোৰ দূৰ কৰি শুদ্ধ জ্ঞান লাভ কৰাটোৱেই এই নিত্য আৰাধনাৰ প্ৰধান হেতু। প্ৰত্যেক উপাসকে ভাবি বুজি কাৰ্য্যত উপলব্ধি কৰিব পাৰিব লাগিব যে তেওঁ পৰম পুৰুষৰ সৈতে অভিন্ন 'সোঽহম্'। এই মহৎ ভাব উপলব্ধি হলেও জ্ঞান দায়িনী মাতৃৰ প্ৰকৃত আৰাধনা কৰা হৈছে বুলি বুজিব পাৰি। এনে ভাব কাৰ্য্যত পৰিণত কৰিবলৈ ফুল নিৰ্ম্মালি বলিবিধান নহলেও চলে, লাগে মাথোন মনৰ একাগ্ৰতা চিত্তৰ বিশুদ্ধতা। সকলো বিভৱ সিদ্ধিৰ বাবে সৰস্বতীক আৰাধনা কৰিব লাগে দেখি শিক্ষাৰ্থীয়ে গায়—

"সৰস্বতি মহাভাগে বিদ্যে কমললোচনে।
বিশ্বৰূপে বিশালাক্ষি বিদ্যাং দেহি নমোঽস্তুতে॥"

নামকীৰ্ত্তন প্ৰসঙ্গাদি কৰাৰ আগতে প্ৰাৰম্ভণতে আমাৰ পাঠক সকলে গায়—"নাৰায়নং নমস্কৃত্য নৰঞ্চৈব নৰোত্তমন্। দেৱীং সৰস্বতীম্ বাচং ততো জয়োমুদীৰয়েৎ॥" ইয়াৰ পৰা বুজা যায় সৰস্বতী মঙ্গলবিধাত্ৰী দেৱীও।

সৰস্বতী নৈৰ শুদ্ধতা পৱিত্ৰতা লৈয়েই হওক, অথবা অতীত কাল্পনিক কৱিৰ কল্পনা প্ৰসূত মতেই হওক হিন্দুৰ আন আন দেৱদেৱীৰ মূৰ্ত্তিৰ দৰে বীণাপাণি বাগ্‌দেৱীৰ মূৰ্ত্তিও জড়মূৰ্ত্তি নহয়। ইয়াত লীন গৈ আছে এটি অন্তৰ্নিহিত অনন্ত তেজধাৰা, এটি বিশ্বময় প্ৰভাধাৰ। এই মূৰ্ত্তি সুপ্ত নহয়, ই নিত্য জাগ্ৰত। সৰস্বতী দেৱীৰ মূৰ্ত্তি যি দৰে "সৰ্ব্বশুক্লা", মনোমোহা, সুকুমাৰ, লাৱণ্যময়, আন পিনে তেওঁৰ কৃপাবিতৰণ প্ৰণালীও তেনে চমৎকাৰ তেনে শুদ্ধ, তেনে নিৰ্ম্মলিন।



নাট্য জগতত ভুমুকি

আমাৰ নাট্য সাহিত্য— —নটৰাজ

পৃথিবীৰ কোনো দেশতেই নাট্য-সাহিত্য এদিনতে গঢ়ি উঠা নাই। আন আন বিষয়ৰ দৰে নাট্য সাহিত্যও ক্ৰমবিবৰ্ত্তনবাদৰ নিয়মানুবৰ্ত্তী। যুগভেদে নাট্য-সাহিত্যই ভিন ভিন ৰূপ ধৰি আহিছে। যুগধৰ্ম্মই নাট্যসাহিত্যক যিমান প্ৰভাৱান্বিত কৰে বোধকৰোঁ আন একোৱেই নকৰে। নাট্যসাহিত্যৰ মাজেদি কোনো এটা জাতিৰ ৰাষ্ট্ৰ, সমাজ, ৰীতি-নীতি আদিৰ বিষয়ে যিমান বুজিব পাৰি আন একোৰে আলম লৈ তিমান বুজিব নোৱাৰি। সকলো দেশতে সকলো কালতে,—গ্ৰীচ, প্ৰাচীন ভাৰত, ছেক্সপীয়ৰৰ ইংলণ্ড, গোটে, শীলাৰৰ জাৰ্ম্মানী,—যি দেশত যেতিয়া যি কৰ্ম্মপ্ৰেৰণা জাগিছে, তেতিয়া সিয়েই মূৰ্ত্ত হৈ উঠিছে সেইদেশৰ নাট্যসাহিত্যত আৰু সজীৱ হৈ উঠিছে সেইদেশৰ ৰঙ্গমঞ্চবোৰত অভিনয়ৰ সহায়ত নাট্যসাহিত্যৰ উৎকৰ্ষতালৈ চাই সেই সেই দেশৰ সভ্যতা, কৃষ্টি আদিৰ সন্ধান পাব পাৰি। নাট্যসাহিত্যই জাতি গঢ়ি তোলে।

* * * *

পাশ্চাত্য দেশৰ নামকে নলওঁ, ভাৰতবৰ্ষৰ ভিতৰতেই আন আন প্ৰদেশৰ তুলনাত অসমৰ নাট্যসাহিত্য বৰ দুখীয়া। আমাৰ অসমতে শঙ্কৰীযুগত নাট ৰচনা কৰি নাট্যসাহিত্য চৰ্চ্চাৰ যি কৰ্ম্মপ্ৰেৰণা জাগিছিল তাক আমি সজাগ কৰি ৰাখিব নোৱাৰিলোঁ। ভাল বস্তুৰ আদৰ নুবুজিলোঁ। আমি বিজাতৰীয়া হলোঁ, সেইবাবেই আজি আমাৰ এনে অধঃপতন। * * * আমাৰ ভাষাত উন্নত ধৰণৰ পৌৰাণিক সামাজিক আদি নাটকৰ বৰ অভাৱ। কিন্তু অভাৱৰ কথাটো স্বীকাৰ কৰি হাত সাবটি থাকিলেই আমাৰ সকলো কৰ্ত্তব্য কৰা হবনে? অৱশ্যে এইটো সঁচা যে আমাৰ এই অভাৱটো আঁতৰাবৰ কাৰণে চেষ্টা হব ধৰিছে। বহুত কৃতবিদ্য লেখকে উন্নত ধৰণৰ নাট ৰচনা কৰিবলৈ চেষ্টা কৰিছে। কিন্তু উন্নতি হৈছে বৰ ধীৰে ধীৰে। আমাৰ ভাষাত ভাল নাটক ৰচিত হৈ ওলোৱাৰ বাটত প্ৰধান অন্তৰায়বোৰ কি, আৰু তাৰ প্ৰতিকাৰ কি সেই বিষয়ে আলোচনা হোৱা উচিত। আমাৰ মনেৰে উন্নত ধৰণৰ অসমীয়া নাট ৰচনাৰ বাটত এই কেইটাই প্ৰধান অন্তৰায়:—

(১) অসমীয়া নাট্যকাৰ সকলৰ নাট্য সাহিত্য চৰ্চ্চাৰ অভাৱ:— নাট্য সাহিত্য চৰ্চ্চা বোলতে মই তেওঁ লোকক নাটক লেখা বিষয়ত উদাসীনতা বুজোৱা নাই, মই বুজাবলৈ খুজিছোঁ যে আমাৰ নাট্যকাৰ সকলে নাট্য সাহিত্যক এটা অনুপম কলাবিদ্যা হিচাপে অনুশীলন নকৰে; নাট্য সাহিত্য (Dramatic art) বিষয়ক প্ৰৱন্ধ বা আন আন ভাষাৰ নাটকাৱলী পঢ়ি আলোচনা বা গবেষণা কৰা ইচ্ছাৰ একান্ত অভাৱ। এইটো এটা অপ্ৰিয় সত্য। কিন্তু কথাষাৰ অস্বীকাৰ কৰিবৰ উপায় আছেনে? অৱশ্যে আটাইবোৰ নাট্যকাৰৰ ক্ষেত্ৰতে যে এই কথাটো খাটে তাক মই কবলৈ খোজা নাই। মূলগ্ৰন্থ, প্ৰত্নতত্ত্ব মূলক প্ৰৱন্ধ বুৰঞ্জী, আদি পঢ়ি কোনো এই বিষয় বস্তুৰ আলমলৈ চৰিত্ৰ অঙ্কন কৰি নাট লেখা আৰু সেই একে বিষয়বস্তু থকা বঙালী বা আন ভাষাৰ যিমান বোৰ ভিন ভিন লেখকৰ ভিন ভিন নামেৰে নাট ৰচিত হৈছে সেই বোৰ গোটাই লৈ অলপ ইফাল সিফাল কৰি বেলেগ এটা নাম দি অসমীয়া ভাষাৰে নাট এখন ৰচনা কৰি উলিৱাৰ মাজত পাৰ্থক্য কিমান তাক বোধ কৰো। কোনেও নুবুজাকৈ নেথাকে। বহুতো অসমীয়া নাট্য কাৰৰ মনত নাট লেখাৰ নিচিনা উজু কথা নাই। এইবোৰ নাট্যকাৰৰ আদৰ্শ হৈছে ৺ ডি, এল, ৰায়ৰ

নাটবোৰ। আনকি অসমীয়া বুৰঞ্জী মূলক নাট লেখে-তেও নাট্য কাৰৰ চৰিত্ৰ বোৰৰ জকা উপৰোক্ত লেখকৰ নাটৰ চৰিত্ৰ বোৰৰ পৰা লোৱা,—সেই দেখি অসমীয়া বুৰঞ্জী মূলক নাটৰ চৰিত্ৰ বোৰৰ হাব ভাব চালচলন কথা-বতৰা আদি সকলো বঙালী লেখকজনৰ নাটৰ কোনো কোনো চৰিত্ৰৰ অসমীয়া সংস্কৰণ হৈ পৰে। তেহলৈ সেই চৰিত্ৰবোৰৰ গঢ় গতিৰ লগত বুৰঞ্জী মূলক অসমীয়া চৰিত্ৰৰ কোনো প্ৰকাৰৰ সামঞ্জস্য থাককেই বা নেথাকক। এনেকুৱা মনোবৃত্তি আমাৰ নাট্যকাৰ সকলৰ যিমান দিনলৈকে থাকিব তেতিয়া লৈকে আমি অসমীয়া ভাষাত উন্নত ধৰণৰ নাট আশা কৰিব নোৱাৰোঁ।

(২) অনুবাদিত নাটকৰ অভিনয়:—কথাটো হৈছে এনেকুৱা—বঙালীৱে নিজে কষ্ট কৰি ৰছগোল্লা তৈয়াৰ কৰি খায়, তাকে দেখি আমাৰ জিভাৰ পানী পৰে। নিজে কষ্ট কৰি ৰছগোল্লা তৈয়াৰ কৰি খাবলৈ আমাৰ শক্তি থাকিলেও সামৰ্থ নেহোৱা হৈছে, সেইদেখি বঙালীসকলৰ পৰা ৰছগোল্লাৰ ভাগ নোপোৱা বাবে তাৰ ৰস এটুপিকেই খুজি মাগি আনো আৰু বাহি ৰসকেই ছেলেকি আত্মতৃপ্তি লাভ কৰোঁ। অশ্বত্থামাই গাখীৰ খাবলৈ নেপাই চাউলৰ গুৰি পানীত গুলি খোৱাৰ নিচিনা কথা। * * * আমি অভিনয় কৰিবলৈ খুজিলে যদি অসমীয়া নাটকৰ অভাৱ বা উপযুক্ত নাটক নোহোৱা যেন দেখোঁ তেতিয়া আমাৰ নিজৰ ভাষাত নাটক লেখি অভাব পূৰণ কৰিবলৈ আগ্ৰহ নহয়, আগ্ৰহ হয় মাথোন বঙালী ভাষাৰ নাটক এখন অনুবাদ কৰি অভিনয় কৰিবলৈহে। বঙালী নাটক অনুবাদ কৰি অভিনয় কৰাৰ ৰোগটো ইমান প্ৰবল যে অবৈতনীক ৰঙ্গমঞ্চত কেতিয়াবা অভিনয় কৰাৰ কথা হলে আমাৰ অভিনেতা সকলে বা ৰঙ্গমঞ্চৰ অধ্যক্ষ সকলে পোনে পোনেই বঙালীৰ পৰা অনুবাদিত নাট এখনৰহে নাম লয়। আমি এনেকুৱাও দেখিছোঁ যে কোনো এটা নিৰ্দ্দিষ্ট অভিনয়ৰ বাবেই দুদিনৰ ভিতৰতেই একোখন বঙালী নাট অসমীয়ালৈ অনুবাদ কৰাৰ উৎসাহ বহুতো উঠি অহা শিক্ষিত ডেকাৰ ভিতৰত দেখা যায়। ইয়াত যেন মোক কোনেও ভুল নুবুজে। অসমীয়াই গুণৰ পূজা কৰিব জানে, গুণীৰ মোল বুজে, কিন্তু যি ক্ষেত্ৰত অসমীয়াৰ স্বাৰ্থ, অসমীয়াৰ ভাষা, অসমীয়াৰ কৃষ্টি, অসমীয়াৰ প্ৰাণৰ যোগ আছে তাত অসমীয়াৰ যদি জাতি হিচাপে বাঁচি থাকিব খোজে তেন্তে অসমীয়াৰ অসমীয়াত্ব যেনেকৈ হওক ৰক্ষা কৰিবই লাগিব। ই প্ৰাদেশিকতা বা অন্ধ জাতীয়তা নহয়,—ই অসমীয়াৰ আত্মৰক্ষাৰ অভিযান। বিশ্বসাহিত্যৰ দৰবাৰত অসমীয়া ভাষা আৰু কৃষ্টিয়েও এখন উন্নত আৰু সুকীয়া আসনৰ দাবী কৰে—ই তাৰেই মাথোঁ আয়োজন। সেইদেখি মোৰ প্ৰস্তাৱ হৈছে যে অকল বঙালী নাটক কিয় যিমান পৰা যায় আন আন ভাষাৰো নাটক অপৰ্য্যাপ্ত পৰিমাণে পঢ়ক। পঢ়ি পাছত নাটক সৃষ্টি কৰক আৰু তাত প্ৰাণ প্ৰতিষ্ঠা কৰোঁতে আন ভাষাৰ নাটকৰ আত্মাকো প্ৰয়োজন হলে যোগ কৰক। তেতিয়া দেখিব আপুনি লেখনী লোৱা সাৰ্থক হৈছে। বোধকৰোঁ কথাটো আৰু বহলাই কবৰ দৰ্কাৰ নহব।

(৩) অসমীয়া নাট্যকাৰ অনাদৃত:—অনুপ্ৰেৰণা নেপালে কোনোকামেই সুকলমে আৰু সাফল্যৰে সিদ্ধ নহয়। আমাৰ অসমীয়া নাট্যকাৰে উৎসাহ বা প্ৰেৰণা নেপায়। এই উৎসাহ বা প্ৰেৰণা নাট্যকাৰে পায় তেওঁৰ লিখিত নাটকৰ সৰ্ব্বাঙ্গসুন্দৰ অভিনয়ৰ পৰা। আমাৰ নাট্যকাৰ সকলক ৰঙ্গমঞ্চৰ গৰাকী সকলে নাটক লেখিবলৈ উৎসাহ দিয়ক ছাৰি, তেওঁলোকে লিখা নাটকৰ অভিনয় কৰিবলৈকেই নোখোজে। আমি জনাত অকল মাথোন "বাণ ষ্টেজক'হে এই দোষে নুচুৱে। গতিকে অসমীয়া নাট্যকাৰে তেওঁৰ লেখা নাটকখন কিমান দূৰ সাফল্য মণ্ডিত হৈছে তাক জানিব কেনেকৈ আৰু তেখেতৰ নাট ৰচনা কৰিবলৈকেই বা আগ্ৰহ হব' কিয়? মিঃ মিল্টন ৱালমেনে "লণ্ডন মাৰকুৰি" বোলা আলোচনী খনত প্ৰবন্ধ এটাত লেখিছিল:—"One cannot comnand great plays on play wrights to order—but we can have things ready

for them when they come. I wonder if there was a writer in all Russia who, after seeing the Moscow Art theatre, did not feel impelled to try his hand at a play, for after seeing what rhythm inflection grouping and lighting can do to enhance the power of word and thought he must have obtained a new conception of the possibilities of dramatic art. There is no one I presume who would any longer suggest that a play is a play because it exists in manuscriht or in printt any more than the Score of a musical composition in a symphony until it is heard on strings and wood wind and brass. Nor can any one argue that the symphony is as enjoyable when badly conducted and indifferently played as if the reverse be true. If composers were assured that their best effort would be played only by incompetent cinema orchastras the entire love and direction of musical effort would suffer

* * * *

A test is not a play untill it is on the stage.

নাটকএখনৰ অভিনয় সৰ্ব্বাঙ্গসুন্দৰ হোৱা দেখিলে লেখক-সকলৰ নাট ৰচনা কৰিবলৈ মন যাব। অভিনয় যিমানেই উন্নত হয়, নাটক ৰচনাও তিমানেই ওখ খাপৰ হব। হাতে লেখা অৱস্থাত বা ছপা হোৱা নাট এখন থাকিলেই তাক অভিনয়ৰ ভাষাত নাটক বুলিব নোৱাৰি, যেতিয়ালৈকে ৰঙ্গমঞ্চত তাৰ অভিনয় নহয়। আকৌ মজলীয়া তৰপৰ নাটো অভিনয়ৰ গুণত ভাল হৈ উঠে, ঠিক তেনেকৈ অভিনয়ৰ দোষত প্ৰথম শ্ৰেণীৰ নাটক এখনো নিকৃষ্ট হৈ যায়। অভিনয় নিকৃষ্ট ধৰণৰ হব বুলি জানিলে শ্ৰেষ্ঠ নাট্যকাৰ সকলে বহুত সময়ত নিজৰ ৰচিত নাট অভিনয় কৰিবলৈ নিদিয়ে আৰু সেই একে কাৰণেই তেখেতসকলৰ লেখনীৰ পৰা শ্ৰেষ্ঠ নাট ৰচিত হৈ নোলায়। সৰ্ব্বাঙ্গসুন্দৰ অভিনয়ৰ লগত উন্নত ধৰণৰ নাটক সৃষ্টিৰ অঙ্গাঙ্গী সম্বন্ধ। চেকফ আৰু গৰ্কী নথকাহেঁতেন ষ্ট্যানিছ্লাভ্স্কিৰ প্ৰতিভা ফুটি নোলালহেঁতেন আৰু সেই প্ৰতিভাৰ বিকাশ আমি মস্কো আৰ্টথিয়েটাৰত দেখিবলৈ নেপালোঁহেঁতেন।

(৪) অসমীয়া নাটকৰ অসম্পূৰ্ণ আৰু অযোগ্য সমালোচনা—আমাৰ নাট্য সাহিত্যৰ অভাৱৰ লগতে আৰু এটা বস্তুৰ অভাৱ, সেইটো যোগ্য কলা-সমালোচক। মই যিখন নাট ৰচনা কৰোঁ তাৰ গুণাগুণ মই নিজে তিমান বুজিব নোৱাৰোঁ যিমান বুজিব পাৰিব যোগ্য আৰু দৰদী কলা সমালোচক এগৰাকীয়ে। নাটক এখনৰ অযোগ্য সমালোচনা যে নাট্যসাহিত্য গঢ়ি উঠাৰ বাটত কিমান ডাঙৰ ভেটা তাক পাৰত গজা সমালোচক সকলে যিমান সোনকালে বুজিব পাৰে তিমানেই মঙ্গল। অধ্যাপক কাকতী দেৱে "শোণিত-কুঁৱৰী" নাটৰ যেনে উচ্চ ধৰণৰ সমালোচনা কৰিছিল তেনেকুৱাকৈ আন আন নাটৰ সমালোচনা আজি কালি আমি পঢ়িবলৈ নোপোৱাটো দুৰ্ভাগ্যৰ কথা। অযোগ্য আৰু অপদাৰ্থ সমালোচনাই নাটকতকৈও অভিনয়ক অনিষ্ট কৰে বেছি। বাতৰি কাকতবোৰে কোনো এখন অভিনয়ৰ সমালোচনা কেনেকৈ কৰে দুটা উদাহৰণ দিওঁ।..... "মুঠতে কবলৈ গলে দেশ, কাল পাত্ৰ চাই অভিনয় ভালেই হৈছিল বুলিব লাগে।"....."ভাও বেয়া হোৱা নাছিল,.....ভাও "ছিনেমাটিক"? হৈছিল, ভাও চেষ্টা কৰাহেঁতেন আৰু ভাল হ'ল হ'লহেঁতেন," ইত্যাদি। কোনো অভিনয়ৰ যদি এনে সমালোচনাহে হয় তেন্তে তাৰ পৰা অভিনেতা বা নাট্যকাৰৰ কি লাভ হব? নাটক আৰু অভিনয়ৰ এনে শূন্যলৈ দলিমৰা সমালোচনা পঢ়ি নাট্যকাৰ আৰু অভিনেতাৰ চাগৈ হতাশাৰ হুমুনিয়া পৰে। এই অযোগ্য সমালোচক সকলৰ দৰে দৰ্শকবোৰেও, বিশেষকৈ অভিনেতাবোৰৰ দৰ্শকবন্ধু বোৰে অভিনেতাৰ বা স্বাৰ্থ সংশ্লিষ্ট আন মানুহৰ মন ভাল

লগাবলৈ অভিনয়ৰ সমালোচনা কৰোঁতে পক্ষপাতিত্ব কৰি সত্যৰ অপলাপ কৰে। এনেকুৱা সমালোচনা ভাল নাটক ৰচনা আৰু উন্নত অভিনয়ৰ বাটত এটা প্ৰধান বাধা।

উন্নত নাট্যসাহিত্য ৰচিত হোৱাৰ পথত এইবোৰ প্ৰধানতম অন্তৰায়ৰ উপৰিও আৰু এটা অন্তৰায়ৰ উল্লেখ কৰিব পাৰি। সেইটো হৈছে, (৫) কোনো কোনো নাট্যকাৰক কোনো বিশেষ ৰঙ্গমঞ্চত কোনো বিশিষ্ট অভিনেতাৰ অভিনয়লৈ লক্ষ্য কৰি নিজৰ নাটকৰ চৰিত্ৰ অঙ্কন কৰা দেখা যায়। এনে কৰাটো বৰ ভাল কথা নহয়। এনে কৰিলে অভিনেতাৰ মন যোগাব পাৰি কিন্তু সুষ্ঠু আৰু সাবলীল ৰসসৃষ্টি কৰাত বাধা পৰে। এইদৰে চৰিত্ৰ অঙ্কন কৰিলে নাটকীয় সৌন্দৰ্য্য খৰ্ব্ব হয়।

আমাৰ মনেৰে অসমীয়া ভাষাত উন্নত নাট্যসাহিত্য সৃষ্টি হোৱাত উল্লিখিত কাৰণ কেইটাই প্ৰধানতম অন্তৰায়।

প্ৰাচীনকালত অভিনয়ৰ মুখ্য উদ্দেশ্য আছিল ধৰ্ম্মপ্ৰচাৰ। আজিকালিও ভাওনাবোৰত আমি সেই উদ্দেশ্যৰে ক্ষীণ সুঁতি এটা বৈ থকা দেখা পাওঁ কিন্তু অভিনয়েৰে আজিকালি আৰু ধৰ্ম্মপ্ৰচাৰ নহয়, হলেও অভিনয়ৰ সেইটো এটা গৌণ উদ্দেশ্যহে। আজিকালি নাটকবোৰ হৈছে প্ৰধানতঃ সমাজ সংস্কাৰ মূলক। "A nation is known by its theatre" যিটো জাতি যিমান উন্নত তাৰ ৰঙ্গমঞ্চত তিমান উন্নত অভিনয়ৰ মাজেৰে কোনো এটা জাতিৰ প্ৰাণৰ সন্ধান পাব পাৰি। বৰ্ত্তমান যুগত অকল অসমীয়া নাট্য সাহিত্যই নহয়, ভাৰতীয় নাট্য সাহিত্যৰেই অৱনতি ঘটিছে। ভাৰতৰ সেই গৌৰৱময় যুগৰ কোনোবা যুগতেই অৱসান ঘটিছে। উইলছন ছাহাবে বৰ দুখেৰে সৈতেই লেখিছিল : "It is only to nations considerably advanced in refinement that the drama is a favourite entertainment. The nation of Europe possessed no dramatic literature before the 14th or 15th century, at which period the Hindu drama had passed into its decline." যাওক এইবোৰ কথা বৰ্ত্তমান প্ৰবন্ধৰ আলোচ্য বস্তু নহয়।

আন আন দেশত যিবোৰ নাটক ৰচিত হৈছে সেইবোৰৰ বেছিভাগেই যেই সেই এটা theory বা মতবাদ প্ৰচাৰৰ কাৰণে লিখা। * * * আমাক সকলো প্ৰকাৰৰেই নাটক লাগে। পৌৰাণিক, সামাজিক, ধেমেলীয়া, যুগোপযোগী নাটক আদি সকলো বিধৰ নাটকৰ আমাৰ প্ৰয়োজন। পৌৰাণিক নাটকে আমাৰ চকুৰ আগত এটা মহান অতীতৰ কথা ডাঙি ধৰে, আমাক ধৰ্ম্মপ্ৰাণ কৰে কিন্তু বৰ্ত্তমান কালৰ জড়বাদী জগতত সি জাতীয় উন্নতিৰ অনুকূল নহয়। সেইদেখি বৰ্ত্তমান কালৰ ৰচিত পৌৰাণিক নাটবোৰত জাতিক জগাই তুলিবৰ চেষ্টা কৰাৰ প্ৰয়াস কৰা দেখা পোৱা যায়। জাতীয় আদৰ্শ মানুহৰ মাজত প্ৰচাৰ কৰিবলৈ, ঘূনে ধৰা সমাজৰ আবৰ্জ্জনা গুচাই অসমীয়া জাতিক আন আন জাতিৰ লগত সমানে খোজ পেলোৱাব পৰা কৰাৰ কাৰণে আমাৰ আজিকালি বিশেষকৈ প্ৰয়োজন হৈছে উন্নত ধৰণৰ ভূৰি ভূৰি সামাজিক নাটক। এই বিষয়ত আমি বৰ দুখীয়া। সামাজিক নাটকৰ দৰে ধেমেলীয়া নাটকৰো আমাৰ বৰ অভাৱ। আমি অভিনয় চাবলৈ যাওঁ মনটোক অলপ শান্তি দিবলৈ,—অকণমান আনন্দ দিবলৈ, কিন্তু প্ৰায়ে যদি বিয়োগান্ত নাটকৰ অভিনয় চাই চকুলো টুকি ঘৰলৈ উভতিব লগা হয় তেন্তে আমি বুজিব লাগিব ৰঙ্গমঞ্চই আমাৰ দৈনন্দিন দুঃখক্লিষ্ট জীৱনটো আৰু দুৰ্ব্বহ কৰিহে তোলে। মই বুজাব খোজা নাই যে যে আমাক tragedy বা বিয়োগান্ত নাটক নেলাগে,—আমাক ট্ৰাজেডি, কমেডি, অপেৰা আদি সকলো লাগে, কিন্তু ট্ৰাজেডিৰ তুলনাত আন কেবিধৰ সংখ্যা বৰ কম।

আমি নাট লেখাত সদায় বঙালীক অনুকৰণ কৰি আহিছোঁ। আজিও আমি ৺ ডি, এল, ৰায়ৰ পদ্ধতিৰেই অক্ষম অনুকৰণ কৰিবলৈ ধৰিছোঁ। মই কোনো এটা বিশিষ্ট পদ্ধতি লবলৈ নকওঁ, মাথোঁ ইয়াকে কওঁ যে আমাৰ নাট্যকাৰ সকলো যদি যথাৰ্থে স্ৰষ্টাশিল্পী হয় তেন্তে

তেখেত সকলে নিজৰ সুকীয়া পদ্ধতিৰেও ৰস-সৃষ্টি কৰিব পাৰিব। তাৰ বাবে লাগে মাথোঁ সাধনা। * * অভিনয় হৈছে বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি ; গতিকে বাস্তৱ জীৱনত আমি যেনেকৈ কথা কওঁ, চলনফুৰণ কৰোঁ নাটকত তাৰেই চিত্ৰহে স্বাভাৱিক আৰু সাফল্যমণ্ডিত হব। এইখিনিতে কথা এটা কওঁ,—বোধকৰোঁ অৱান্তৰ নহব। আমাৰ পৌৰাণিক নাটবোৰত চৰিত্ৰ অঙ্কন পৰিস্ফুট হৈ নুঠে। শ্ৰীকৃষ্ণৰ চৰিত্ৰই দেৱত্বৰ "দোহাই" দি অভিনয়-পৰীক্ষাত পাছ কৰি যায়! দৰ্শকসকলৰ মনত দেৱতাসকলৰ বিষয়ে এটা সুস্থ কাল্পনিক ধাৰণা আছে, গতিকে তেওঁলোকৰ অভিনয়ত সাধাৰণতে দৰ্শকৰ চকুত দোষবোৰ ধৰা নপৰে, ভালখিনিহে ওলাই পৰে। মই ভাবোঁ, নাট্যকাৰে দৰ্শকৰ চকুৰ আগত শ্ৰীকৃষ্ণাদি দেৱতাসকলক superman বা মহামানৱ হিচাপেহে ডাঙিধৰা উচিত তাৰ পিছত সেই চৰিত্ৰৰ দোষগুণ বিচাৰ কৰি দৰ্শকক দেৱত্ব আৰোপ কৰিবলৈ দিয়া উচিত। আমাৰ পৌৰাণিক নাটবোৰত দেৱত্বইহে অভিনয় কৰে, অভিনয়ত দেৱত্ব ফুটি নোলায়।*

* গুৱাহাটি "সন্ধিয়া সম্মিলনী"ত পঠিত ডাঙৰ প্ৰবন্ধ এটাৰ অংশ
— লেখক

বসন্ত আগমনী

—শ্ৰীযুত যোগেন্দ্ৰনাথ বৰদলৈ

কবিতা—

টুনী বুল্ বুল,
হয় মছ্ গুল'
পৰাণ বিভোৰা ধৰিলে গান।
কুলি পাপিয়াই,
মুক্ত সঙ্গী পাই
জুৰিলে ডালত অমিয়া তান।
বসন্তৰ ফুল
নাই তাৰ তুল্ ;
বালাৰ্ক যেন ৰাঙ্গলী পাহি।
মাধবী কুঞ্জৰ
আহি মধুকৰ
চুমাটি যাচি মাৰিলে হাঁহি।
আজি বসন্তত
ৰঙ্গ ৰূপহত
প্ৰকৃতিয়ে এৰে বিধুৰা ভেশ
কৰে গুলজাৰ
মন পাৰা বাৰ
জগৎ বিভোল নতুন বেশ।

উঠি গীতি ৰাগ
মল্লিকা পৰাগ
গন্ধ বনিক মলয়া সতে।
বিশ্বনিকেতন
কৰে বিতোপন
ওপ গৰিমা বিহঙ্গে বতে।
দৰদী হিয়াৰ
আজিকি বাহাৰ
ৰূপহ সোণৰ ছবিটি চাই
হিয়া চাৰথাৰ
কৰা হাহাকাৰ
উবাল কেনিবা বসন্ত বাই।
ভাৱৰ মাজে
চাৰু বেশে সাজে
তৰুণ অৰুণ পুৰ তোৰণত।
ভকতিৰ মালা
আহি পুষ্প বালা
অঞ্জলী প্ৰদান কৰে চৰণত
জয়োল্লাসে গাই
অতিথিক পাই
মঙ্গল উকলি উঠে ঘনে ঘনে।
উন্মাদিহ নাই
শুভক্ষণ যায়
পুষ্পবৃষ্টি মাথো কৰে ক্ষণে ক্ষণে।
মোৰ পৰাণত
আজি এ ক্ষণত
সুপ্ত বীণত বাজিল ধ্বনি
মহান মধুৰ
বজালা কি সুৰ
প্ৰচাৰে সবে তোমাৰ বাণী

মহিলা জগত



ত্ৰিবাঙ্কুৰৰ মহাৰাণী—শ্ৰীযুতু পাৰ্ব্বতী বাঈ

সমালোচনা

'কঃ পন্থাঃ'

এই সক মুখিথনৰ গ্ৰন্থকাৰ বয়োজ্ঞান বৃদ্ধ শ্ৰীযুত কমলা কান্ত ভট্টাচাৰ্য্য, ডাঙ্গৰীয়াক নজনা মানুহ বোধ হয় অসমত অতি বিৰল। এই কিতাপ খনিক অকল মুখি বুলিলেই যথেষ্ট নহয় অসমীয়াৰ অতীতৰ সম্পদ ৰাশিৰ শাৰীৰ এটি চুৰ্ম্মূল্য ৰত্ন, অসমীয়া জাতিৰ নব জাগৰণ শাস্ত্ৰ স্নিগ্ধ পোহৰৰ গ্ৰন্থকাৰৰ ছাত্ৰন সন্ধিয়াৰ জাতীয় মঙ্গল আৰতিৰ স্থিৰ প্ৰদীপ। শ্ৰীযুত ভট্টাচাৰ্য্য ডাঙ্গৰীয়াক ব্যক্তিগত হিচাপে যি সকলে বিশেষ কাষৰ পৰা দেখা নাই, বা দেখিবৰ সৌভাগ্য মিলাৰ পৰা নাই তেখেত সকলে কেতিয়াবা তেখেতৰ ছটি এটি কথাত ভুল বুজিবৰ সম্ভাৱনা থাকে বিশেষকৈ যি সকলে স্বাৰ্থৰ বাবেই হওক বা পৰম্পৰা গত বিশ্বাসৰ অনুগামী হৈয়ে হওক সমাজৰ কটকটীয়া বান্ধৰ পক্ষ পাতী; কিন্তু তেখেত সকলেও তেখেতৰ এই কিতাপ খনি পঢ়িলে ভুল বুজিবৰ একো আশঙ্কা নাই। শ্ৰীযুত

ভট্টাচাৰ্য্য ডাঙ্গৰীয়াৰ জীৱনৰ অনাবিল ব্ৰত স্বদেশ বাসীৰ মঙ্গল কামনা কৰা অকল নিৰ্জ্জীৱ কামনা নহয়, আদৰ্শবাদীৰ সপোনো নহয় কথাই কামে শয়নে ভোজনে সেই একেটা কথা, মুখত একেটা উদ্দীপনাময় ছবি। সংসাৰৰ গধূৰ ছেপাত সৰু সুৰা অন্তৰ হোৱা হলে তেখেতৰ আজি অস্তিত্ব নাপালে হেঁতেন, ধূলি হৈ বতাহৰ লগে লগে উৰি অন্তৰত পশি অসমীয়াৰ অন্তৰতম স্থানত কলে হেঁতেন—"তুমি জীৱন্মৃত, তোমালোক ধৰাশায়ী।" এই কিতাপখনৰ পৰিচয় বেছি কথাত নিদি একেবাৰ কথাতে কব পাৰি যে এই কিতাপ খনি নপঢ়িলে অসমীয়া শিক্ষিত ডেকাৰ জ্ঞান অপূৰ্ণাঙ্গ, বুঢ়াৰ বয়োবৃদ্ধি বিফল আৰু সমাজৰ মঙ্গলাকাঙ্ক্ষী সকলৰ আদৰ্শ পতাকা বিহীন দম্ভ ভৰা দণ্ড।

কিতাপ খনি সচাকৈয়ে "কঃ পন্থাঃ"—"Quo Vedis." ন্যায়ৰ মাৰ্গলৈ, সত্যৰ বাটলৈ—জাতীয় জীৱনৰ ৰাজ আলিলৈ আঙ্গুলি সঙ্কেত। আমাৰ মূল্যহীন জন্মগত অধিকাৰৰ দাবিৰ অশূন্যতা, বালবিধবাৰ প্ৰতি সামাজিক অবিচাৰ অত্যাচাৰৰ লজ্জাহীনতা, স্ত্ৰী শিক্ষাৰ প্ৰতি উদাসীনতা, কল্পিত শ্ৰেষ্ঠতাৰ ওপৰত আমাৰ ওফন্দিপৰা ভেম,—এই সকলোৰে পৰিণাম তেখেতে ধীৰ স্থিৰ যুক্তি, বুদ্ধিমত্তা আৰু আন্তৰিকতাৰ সমাবেশত যি কোমল কাৰুণ্যৰ উদ্ৰেক হয় তাৰে আমাৰ উদাস অপতিয়ন মনক বুজাবলৈ যত্ন কৰিছে; অলক্ষিতে 'উচ্চজন্মা' সকলক বহুবাৰ ধিক্কাৰ দিছে—সমাজৰ গুৰীয়াল সকলৰ বহুতৰে মুখা গুচাবলৈ কাতৰে অনুৰোধ কৰিছে—বেদ, বেদাঙ্গ, বেদান্ত, পুৰাণ, ধৰ্ম্মস্তৰ, মনস্তত্ব সকলোৰে আশ্ৰয় লৈ বুজাবলৈ যত্ন কৰিছে—"মানুহ, তুমি মানুহ হোৱা—আত্ম প্ৰবঞ্চনা কিমান দিন কৰিবা,—সমাজৰ নেতৃ স্থানীয় সকল।—সান্দহ খোৱা বালি তল গ'ল, যদি এতিয়াও পূৰ্ব্বৰ সংস্কাৰ আৰু স্বাৰ্থমত বিলাকক সংশোধন কৰি আধুনিক কালৰ উদাৰ মত শাস্ত্ৰৰ মতেৰে সৈতে মিলাই নতুন ব্যৱস্থা নতুন স্মৃতি নাবান্ধা তেনেহলে তোমালোকৰ জাতিৰ উছন যোৱা পতনৰ লগে লগে তোমালোকো নিৰ্ম্মূল হবা।" যাজ্ঞিক ঋষিৰ দৃঢ়তা, দাৰ্শনিকৰ গভীৰতা, সমাজৰ মঙ্গলাকাঙ্খীৰ অন্তৰৰ পোৰণি ভট্টাচাৰ্য্য দেৱৰ কিতাপৰ শাৰীয়ে শাৰীয়ে প্ৰকাশ পাইছে। ভট্টাচাৰ্য্য ডাঙ্গৰীয়াৰ জীৱনৰ গধূলি পৰৰ এই উপদেশাৱলী অসমীয়া জাতিৰ মঙ্গল নাশৰ ৰক্ষা কবচ হোৱা উচিত।—ধনী নিৰ্ধন, আপামৰ দেশবাসীয়ে এই কিতাপ খনিৰ কথাবোৰ বেদবাক্যৰ দৰে যিদিনা প্ৰাণেৰে সম্মান কৰিবলৈ শিকিব সিদিনা দেশবাসী পৰাজিতৰ মনস্তাপ লৈ জাতীয় পৰিষদৰ পৰা নিঃশব্দে বা উচুপি ওলাই আহিব নালাগে, অসমীয়া জাতিৰ বাবে ভাৰতত কিয়, স্বাধীন দেশবাসীৰ শাৰীতো ঠাই হব। প্ৰত্যেক অসমীয়াই এই কিতাপখন এবেলি কিয় বহুবেলি পঢ়াই আমাৰ জীৱিত জাতি গঠনৰ প্ৰথম সোপান হব। সাহিত্য হিচাপেও কিতাপখনৰ মোল অপৰিমিত।

কিতাপখনিৰ বেচ নিচেই কম—মুঠে ॥০ অনা। প্ৰকাশক গ্ৰন্থকাৰ নিজে; পোৱাৰ ঠাই—মিঃ এচ, ছি, বৰুৱা; উজান বজাৰ, গুৱাহাটী।

৫২৭৬/অ:
অসম সাহিত্য সভা
ASAM SAHITYA SABHA

১৪, জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাস প্ৰেছ লিঃ ডাঃ শ্ৰীদীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

৫২৭৭/আ:
১১.৬.৯৯

আৱাহন



দীনদুঃখী

শিল্পী—শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা

জুয়েল অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা।

৫২৭৭/অ:

আৱাহন



৬ষ্ঠ বছৰ, ৫ম সংখ্যা] ফাগুন [১৮৫৬ শক

পঞ্চ-প্রদীপ

[নাটৰ হৈ এগছি]

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ বি-এ, বি-টি

ৰামায়ণ আৰু মহাভাৰতৰ বাৰধান বিনিত কোন ধৰণৰ নাটক হৈছিল সঠিককৈ কোৱা টান। মহাভাৰতৰ সভাপর্ব্বত নাটকাদিৰ উল্লেখলৈ চাই নাটক যে কম হৈছিল তাকো কব নোৱাৰি। সেই কালৰ ৰাজকৌৱৰ সকল গন্ধর্ব্ব বিদ্যাতো পাৰ্গত হোৱা কথা আগৰ পৰা হওক নহওক অন্ততঃ শ্রীৰামচন্দ্রৰ দিনৰ পৰাই পাবলৈ আছে। গন্ধর্ব্ববিদ্যাত পাৰ্গত হৈ অভিনয় নেপাতি নিমাতে নিবোলে ধৰাতো অস্বাভাৱিক। মহাভাৰতৰ পৰিশিষ্ট হৰিবংশত ৰামায়ণ 'নাটকীকৃত' হোৱাৰ কথাৰ পৰা বেচ বুজিব পাৰি সেই যুগত অইন নাটকৰ লগে লগে ৰামায়ণৰ বিষয়-বস্তু লৈও অনেক নাটকৰ ৰচনা হৈছিল, অথবা গোটেই ৰামায়ণ খনিকে নাটকৰ দৰে ভাৱত জুৰি অভিনয় কৰিছিল।

মহাকাব্যৰ যুগৰ পাছলৈ পৌৰাণিক যুগতো মার্কণ্ডেয় আৰু অগ্নি পুৰাণত নাটকৰ উল্লেখ আছে। শেহৰ খনিৰ নাটক নিৰূপণ নামৰ অধ্যায়টিত নাট্যশাস্ত্রই শ্রেণীবদ্ধ কৰি যোৱা দশৰূপকত বাজেও আৰু উনৈশটি বিভাগেৰে উপৰূপকৰ শ্রেণী এটি পাতি থৈছে। ইয়াৰে এভাগ এৰি দৃষ্টান্তস্বৰূপে একাৰিক নাটকৰ নাম দি ওঠৰ ভাগেৰে উপৰূপকৰ সবিশেষ বিৱৰণ পাছলৈ সাহিত্য দর্পণে দিছে।

এই শ্ৰেণী বিভাগলৈ চাই নাটকৰ পয়োভৰ বুজিবৰ আৰু বাকী নেথাকে। তাৰে বহুকাললৈ বহুলোকৰ মন যোগাব পৰা বিধে বিধে খন দিয়েক ৰৈ গল, বাকীখিনি হাতেৰে লিখি ৰখাৰ সময় আৰু সুবিধাৰ অভাৱত পাহৰণিৰ সোঁতত উটি গ'ল।

কোনো কোনো য়ুৰোপীয় বিদ্বানে ভাবে ভালেখিনি পুৰাণ বুদ্ধদেৱৰ আগতকৈ পাছত ৰচনা হোৱা হে বেছি সম্ভৱ। তেহেলৈ যেই হওক, বেছি তৰ্কলৈ নগৈ পালী ভাষাৰ জৰীয়তে খৃষ্টপূৰ্ব্ব ষষ্ঠ শতিকাৰ পৰা খৃষ্টাব্দৰ অষ্টম শতিকালৈকে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰৰ প্ৰবল চেষ্টালৈ চাই এই যুগ পৌৰাণিক যুগ নুবুলি যদি বৌদ্ধযুগ বোলা যায় তেনে নামে গাঁৱে মিলি যায়। এই যুগত পূৰ্ব্বৰ কুলীন আদৰ্শৰ পৰা ফালৰি কাটি ভাৰতৰ ধৰ্ম্ম, দৰ্শন, ভাষা আৰু কলাবিদ্যাৰ এক নূতন সুঁতি দোকালটকা হৈ ফেনে-ফোটোকাৰে ববলৈ ধৰিলে। তাৰ প্ৰবল কল্লোলে অন্তৰ্জগত ঢৌৱাই পেলালে। ভাৰতৰ পুৰণি সুঁতি তেতিয়াও ভৰ সুঁতি হৈয়ে থাকিল, তেতিয়াও ভাৰতী বীণাত দেৱতাৰ মুখেদি অহা সংস্কৃতৰ সুমধুৰ সুৰ বাজিয়েই আছিল। এই যুগৰে মহাভাষ্যত কংস বধ আৰু বালি-বন্ধ নামৰ নাটক দুখনিৰ নাম পোৱা যায়।

মহাকবি বাল্মীকিৰ দিনত জগতত 'কবি' আছিল, বেদব্যাসৰ দিনত 'কবী' হৈ শেহত দণ্ডীৰ দিনত 'কবয়ঃ' হ'ল বোলা উদ্ভট শ্লোকটিলৈ চাই কোৱা টান যে ব্যাস আৰু দণ্ডীৰ মাজ ছোৱাত কোনো কবিয়েই নাছিল। এই শ্লোকত 'কবি' শব্দটি নিশ্চয় বিশেষাৰ্থত ব্যৱহৃত হৈছে। নগৰত তিনি জন ধনী আছে বুলিলে আমি বুজা অনুচিত যে বাকীবিলাকৰ হাতত ধনৰ নামে ফুটা কড়ি এটাও নাই। কালত সবিশেষ উল্লেখ যোগ্য যুগ প্ৰবৰ্ত্তক কোনো শ্ৰেষ্ঠ কবি নেথাকিব পাৰে, সেই বুলি সাধাৰণ কবিয়ে সাধাৰণ ধৰণেৰে যে কাব্য বা নাটকৰ চেষ্টা কৰা নাছিল এনে ভবাটো ভুল। কবি দণ্ডীৰ কোনো নাটকৰ বাতৰি এতিয়াও জনাজানি হোৱা নাই। পাছৰ কবি সকলে সৌমিল্ল, ধাবক শৰ্ম্মিষ্ঠাক পূৰ্ব্ববৰ্ত্তী নাট্যকাৰ বুলি উল্লেখ কৰিছে। সৌমিল্ল আৰু ধাবকৰ নামত বাজে নাটকেৰে পৰিচয় হব পৰা সুবিধা আজিও ওলোৱা নাই। কোনো কোনোৱে কব খোজে শ্ৰীহৰ্ষৰ নামৰ যিকেখনি নাটক আছে সেই কেউখনিয়েই ধাবকৰ ৰচিত। শ্ৰীহৰ্ষৰ নাটক ধাবকে কৰিবলৈ হলে খ্ৰীষ্টিয় সপ্তম শতিকালৈ আমি আহিব লাগিব। সেয়ে হলে তাৰে কেবা শ বছৰৰ আগৰ কালিদাসৰ "মালবিকাগ্নিমিত্ৰম্' নামৰ নাটকত "প্ৰথিত যশসাং ধাবক সৌমিল্ল কবিৰত্নাদীনাং" বোলা কথাৰ উল্লেখ হয় কেনেকৈ? শৰ্ম্মিষ্ঠাৰ 'ছলিক' বোলা যি নাট্যৰ উল্লেখ মহাকবি কালিদাসে 'মালবিকাগ্নি মিত্ৰম'ত কৰিছে—সি পুৰণি কাহিনী এটিৰ গৰিলা লৈ প্ৰেমিক বা প্ৰেমিকাক নিজৰ মনৰ উতলি উঠা আবেগ জনাবলৈ বুলি ৰচনা কৰা কবিতা এটিৰ যথাৰস অভিনয়। এই 'ছলিক'ৰ ৰচয়িত্ৰী বৃষপৰ্ব্ব দুহিতা নে অই ন কোনো শৰ্ম্মিষ্ঠা তাক ঠাৱৰাই কোৱা টান। তেহেলৈ যেই হওক অতি প্ৰাচীন কালতো ভাৰতৰ তিৰোতাই অকল অভিনয়কে কৰা নাই নাটকো যে ৰচনা কৰিছিল তাৰে এইটি আৰু এটি প্ৰমাণ। এই কেউজন নাট্যকাৰৰ নাটক এখনিও পোহৰলৈ নহাত সিবিলাক বৌদ্ধযুগৰ কোনখিনিৰ কবিনাট্যকাৰ, ভাস কবিৰ আগৰে নে পাছৰে তাক সঠিককৈ কোনেও এতিয়ালৈকে কব পৰা নাই। মহাকবি কালিদাসে ভাস কবিৰো শলাগ লৈছে। 'প্ৰতিজ্ঞা যৌগন্ধৰায়ণ' নামৰ ভাস কবিৰ নাট এখনিৰ পৰা চাণক্যৰ অৰ্থশাস্ত্ৰলৈ কেবা ফাকিও তুলি লৈ যোৱাৰ প্ৰমাণ আছে। ইয়াত বাজেও ভাষা, ভাব, আৰু ৰচনাৰ পৰাও এই কবিক নিঃসন্দেহে খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাত পাতি থব পাৰি। ত্ৰিবাঙ্কুৰৰ মহামহোপাধ্যায় গণপতি শাস্ত্ৰীৰ উদ্যোগত অলপতে তেৰ খনিকৈ নাটক পোহৰলৈ নোলোৱা হলে নামত বাজে ৰচনাৰে ভাস কবিক চিনিব পৰা সুবিধা আজিও নঘটিলহেঁতেন। 'স্বপ্নবাসবদত্তা' 'অবিমাৰক' আদি এই কবিৰ নাটকখিনি ভাৰতৰ সংস্কৃত সাহিত্যৰ অতিশ্ৰেষ্ঠ সম্পত্তি। বৌদ্ধযুগৰ প্ৰাৰম্ভণৰ বা প্ৰাচীন ভাৰতীয় নাটকৰ নিদৰ্শন বুলিবলৈ গলে ভাৰতত আজি এই কেউখনি নাটকত বাজে বিশেষ একো নাই। সৰল

সুন্দৰ কবিতাৰ সোৱাদ আৰু সেই কালৰ সমাজৰ নিখুট ছবি কেউখনি নাটকতে পাবলৈ আছে। 'চাৰুদত্ত' আৰু 'অবিমাৰক' আদি নাটক দুখনিমানত সৰ্ব্বসাধাৰণ চলি অহা প্ৰেমৰ ধাৰাত এক নতুন ৰাগ দি অতি মনোৰম কৰি তুলিছে। 'স্বপ্নবাসবদত্তা' পঢ়ি পাছৰ 'প্ৰচণ্ডা পাণ্ডৱা'দিৰ নাট্যকাৰ কবি ৰাজ শেখৰে কৈছিল,—'যদি অগ্নিপৰীক্ষা কৰা যায় এই স্বপ্নবাসবদত্তাই সীতাদেৱীৰ দৰে অগ্নিৰ পৰা সগৌৰৱে উঠি আহিব।"

বহুতৰ মতে এই যুগৰে খ্ৰীষ্টপূৰ্ব্ব দ্বিতীয় শতিকাৰ নাট্যকাৰ কবি শূদ্ৰক—যাৰ 'মৃচ্ছকটিকা' নামৰ নাটকে অকল ভাৰতৰে নহয় য়ুৰোপৰো প্ৰশংসা লাভ কৰিছে। এই নাটক খনিত ঘটনাৰ সুন্দৰ সমাবেশ আৰু চৰিত্ৰ অঙ্কনৰ চতুৰ নৈপুণ্য দেখি অধ্যাপক 'উইলিয়মে' সিবিলাকৰ শ্ৰেষ্ঠ নাট্যকাৰৰ নাটকতকৈ সি কোনো গুণে কম নহয় বুলিছে। অধ্যাপক 'মেকডনেল্ডে' চেক্স পিয়ৰৰ সমকক্ষ কবি বুলিবলৈকো সঙ্কোচ নকৰে। যদি এই নাটক কোনো কোনোৱে কোৱালৈ চাই কালিদাসৰ আগৰ বুলি ধৰা যায় তেনে সচাঁসচিকৈয়ে ই ভাৰতৰ নাট্যগগনৰ শুক্লা ত্ৰয়োদশী, পূৰ্ণিমাৰ জোন যেন কালিদাসৰ আগমন সূচনা।

কালিদাসৰ কাল লৈও 'নানা মুনিৰ নানা মত'। 'মেকডনেল্ডৰ' মতে খৃষ্টাব্দৰ চতুৰ্থ শতিকা; অধ্যাপক 'উইলিয়ম'ৰ মতে খৃষ্টীয় তৃতীয় শতিকা; অধ্যাপক 'লেচিঙ্গ'ৰ মতে খৃষ্টীয় দ্বিতীয় শতিকা; ডাক্তৰ বু'লাৰৰ মতে খৃষ্টীয় প্ৰথম শতিকা; অধ্যাপক 'উইলচনৰ' আৰু নাচিকৰ শিলৰ ফলিৰ সঙ্কেত মতে খৃষ্টপূৰ্ব্ব প্ৰথম শতিকা। কাল লৈ এই কণামাচিখেলা—তাৰ যেন আলেঙে আলেঙে সকলো কালৰে কবি সুচতুৰ কালিদাসে ঘাই হৈ হাঁহিত জিলিকি ফুৰিছে! ইংৰাজী কবি প'পৰ কথাৰে কবলৈ গলে কব পাৰি "মহাকবি কালিদাসে 'ঈশ্বৰলৈ' বুলি গীৰ্জ্জা সাজিছিল, মাৰ্ব্বল পাথৰত নিজৰ নাম লিখি থৈ যাবলৈ পাহৰি গল"। যি শিল্প প্ৰতিভাই জগতক অতি শ্ৰেষ্ঠ চিৰদিনীয়া দান দি যায়, সি তাৰ আপোন ৰচনাত লীন হৈ মিলি যায়। "লোণৰ পুতলা সাগৰৰ পানীত পমি গল; বাতৰি দিয়ে কোনে?" মুগ্ধ পৃথিৱীয়ে সেই ৰচনা শুনি অবাক্ হয়, শুনে, শুনে, কেৱলে শুনে; ৰচনা কৰিলে কাহানি কোনে তাক সোধোতা কেই জন? অতীত, বৰ্ত্তমান আৰু ভবিষ্যতৰ কবি ভাৰতত আজি কোন? আজিলৈকে জগতৰ কোন কবিয়ে এনে অপ্ৰতিম চিৰসুন্দৰ 'অপৰ বিধতাৰ অপৰা সৃষ্টি' শকুন্তলাৰ দৰে ছবি এখনি নাটকত আঁকিব পাৰিছে? স্বৰ্গ আৰু মৰ্ত্ত্যৰ সকলো ঋতুৰ সকলো সৌন্দৰ্য্য একেটি নামতে একেটি থুপিতে বিচাৰি বিচাৰি জাৰ্ম্মাণী কবি 'গাটে'ই আহি পাইছিল—শকুন্তলা। এই শকুন্তলাৰ চানেকীয় সকলোগুণে সুৱলা নাটক জগতত আজি কেইখন? শকুন্তলাৰ চন্দ্ৰাৱলীত 'গাটে'ৰ 'ফষ্ট, চেক্সপিয়েৰৰ 'ৰমিঅ' জুলিয়েট', জ্যোতিহীন তাৰকা। 'মালবিকাগ্নিমিত্ৰম্' আৰু 'বিক্ৰমোৰ্ব্বশীয়ম্' নামেৰে আৰু দুখনি এই মহাকবিৰ নাটক আছে। সৌন্দৰ্য্যৰ তুলনাত সবাতকৈ সুন্দৰ 'অভিজ্ঞান শকুন্তলম্'।

কবি কালিদাসৰ পাছত খ্ৰীষ্টীয় সপ্তম শতিকাৰ মাজ ছোৱাৰ পৰা খৃষ্টীয় অষ্টম শতিকাৰ শেহলৈকে কনৌজৰ ৰজা শ্ৰীহৰ্ষ আৰু যশোবৰ্ম্মন, আৰু প্ৰাচীন কামৰূপৰ ৰজা অৱন্তি বৰ্ম্মণৰ আমোলত প্ৰায় এশ বছৰ বিয়পি সংস্কৃত চৰ্চ্চাৰ এক সোণালী সুযোগ আহিছিল। ইয়াৰ আগৈয়ে কবি কালিদাসৰ পাছত নাট্যজগতত যুগান্তৰ ঘটোৱা অন্য নাট্যকাৰৰ নাম অতি বিৰল। সপ্তম অষ্টম শতিকাৰ মোজামুজিত ভালে খিনি কাব্য, নাটক, আৰু চৰিত্ৰ ৰজাঘৰীয়া চাৰ পাই নদন বদন হৈ উঠিছিল। অমিত তেজৰ ৰজা শ্ৰীহৰ্ষই যুদ্ধ ক্ষেত্ৰত যি বিজয় গৌৰৱ লাভ কৰিছিলেই নে সাহিত্য ক্ষেত্ৰতো ততোধিক গৌৰৱৰ কীৰ্ত্তিধ্বজা এৰি থৈ গৈছিল। এই ৰাজ নাট্যকাৰে নিজে 'নাগানন্দ' 'ৰত্নাৱলী', আৰু 'প্ৰিয়দৰ্শিকা' নামৰ তিনি খনি নাটক লিখি প্ৰথমখনি ইন্দ্ৰোৎসৱত অভিনয় কৰোৱাইছিল। দেশৰ অপৰিসীম ৰাজকাৰ্য্যত বিশেষকৈ যুদ্ধবিগ্ৰহাদিত বৰ বেগে ঘূৰি ফুৰাত এই বিজয়ী ৰাজপুৰুষে নাটক প্ৰণয়ণৰ সময় পোৱা অসম্ভৱ ভাবি কোনোৱে কয় এই নাটক কেখনি বাণভট্টৰ, আৰু কোনোৱে বা কয়

মম্মটাচাৰ্য্যৰ। তীব্ৰ প্ৰতিভাৰ অসাধাৰণ শক্তিত যাৰ আস্থা নাই সিবিলাকে সেই দৰে ভাবিব পাৰে। ভাৰতবৰ্ষৰ বিজয়ী ক্ষত্ৰিয় ৰজাই বেদৰ দিনৰ পৰাই অকল যুদ্ধ ক্ষেত্ৰ বা সাহিত্যতেই নহয় দৰ্শন আৰু উপনিষদতো বিশেষ গবেষণাৰ প্ৰমাণ দি গৈছে। বাণভট্টৰ ৰচনা বুলিবলৈ তেওঁৰ অইন ৰচনাৰ লগত নাটকৰ ৰচনাৰ ভাষা, ভাব, আৰু ঠাচৰ সমূলি মিল নাই। গতিকে এই তিনিও খনি শ্ৰীহৰ্ষৰেই নাটক। নাগানন্দ নাটক খনিত লিখকে গতানুগতিত বিষয় বস্তুৰ পৰা আঁতৰি এক নতুন পথে ভাৰতৰ নাট্য লৈ আগুৱাই গৈছে। এই ৰাজকীয় ইঙ্গিতৰ আলম লৈ ৰজা অৱন্তীবৰ্ম্মনৰ দিনৰ নাট্যকাৰ বিশাখদত্তই "মুদ্ৰাৰাক্ষস' নামৰ নাটকত পূৰ্ব্বকবিসকলৰ প্ৰেম প্ৰসঙ্গ সমূলঞ্চে পৰিহাৰ কৰি ৰাজনীতিৰ ক্ষেত্ৰলৈ নাট্যলীলাক খোলাখুলিকৈ লৈ গ'ল। জটাৰ গঙ্গাক পাৰ্ব্বতীৰ সতিনীয়াহৰ পৰা লুকাবলৈ বুলি ভোলানাথে যি কুটিলতা কৰিছিল সেই দৈৱ কুটিলতাৰ আশীৰ্ব্বাদ খোজা নান্দীৰে আৰম্ভণ কৰি চাণক্যৰ ৰাজনীতিৰ নাট্যলৈ নাট্যকাৰে স্ত্ৰীচৰিত্ৰ সমূলি নানিলে, অথচ নাটকৰ মজৰা সেই মুদ্ৰাটি হেৰুৱাবৰ বেলিকা নেপথ্যৰ পৰা প্ৰকৃতিৰ হাতখনি উলিয়াই দি নাটকখনি বৰ উপাদেয় কৰি তুলিলে।

ইয়াৰ পাছত বৌদ্ধযুগৰ শেষ সংস্কাৰৰ লগে লগেই কনৌজৰ যশোবৰ্ম্মনৰ দিনত মহাকবি ভৱভূতিৰ আবিৰ্ভাব। এই কবিৰ 'উত্তৰ ৰামচৰিত'ক কোনো কোনোৱে সাহিত্য সম্পদত 'অভিজ্ঞান শকুন্তলম'তকৈও ওখ ঠাই দিব খোজে সিবিলাকৰ চেষ্টা সফল হওক নহওক 'অভিজ্ঞান শকুন্তলম'ৰ লেখৰে এই খনিও এখন যে জগতৰ অতুলনীয় নাটক তাত কোনো সন্দেহ নাই। ভৱভূতি কালিদাসৰ পাছৰ কৃষ্ণ দ্বিতীয়া। এই কবিৰ বাকী 'মালতীমাধৱ' আৰু 'মহাবীৰ চৰিত' নামৰ নাটক দুখনিও ভাৰতৰ বুকুৰ ধন। সংস্কৃত সাহিত্যৰ বিজয় বিভূতি। মহাকবি কালিদাসৰ পাছতে জগতৰ জয়মাল্যৰ উপযোগী এক এই কবি ভৱভূতি। কালিদাস যদি গৌৰিশঙ্কৰ, ভৱভূতি, শূদ্ৰক আজি কাঞ্চন জঙ্ঘা আৰু ধৱলগিৰি। জগতৰ কোনো শিখৰেই ইয়াতকৈ ওখকৈ মূৰ তুলিব পৰা নাই।

ভৱভূতিৰ দিনৰ পৰাই সংস্কৃত নাট্য সাহিত্যৰ কৃষ্ণপক্ষ আৰম্ভ। আজি বিংশ শতাব্দীত তাৰ অমাবস্যা।

খৃষ্টপূৰ্ব্ব ষষ্ঠ শতিকাৰ পৰা যি বৌদ্ধযুগৰ আৰম্ভণ হৈছিল সি খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাৰো অশোকৰ দিনত উন্নতিৰ শিৰোবিন্দু লাভ কৰি খ্ৰীষ্টীয় প্ৰথম শতিকাৰ কনিষ্কৰ দিনৰ পৰা তললৈ নামি নামি শেহত খৃষ্টীয় অষ্টম শতিকাত বুদ্ধৰ জন্মভূমিত বৌদ্ধ ধৰ্ম্মৰ নাম নাইকিয়া হল। ফালৰি কাটি যোৱা সুতিটি আকৌ ভৰ সুঁতিত মিলি গ'ল। অন্য কি পালী ভাষাৰে প্ৰচাৰ লাভ কৰা বৌদ্ধ ধৰ্ম্মৰ বুদ্ধ চৰিতাদিও শেহত খ্ৰীষ্টীয় দ্বিতীয় শতিকালৈ সংস্কৃতত ৰচিত হব লগীয়াত পৰিল। এই বাৰ শ বছৰৰ ভিতৰতে ভালেখিনি নাটক ৰচনা হোৱা কথা প্ৰফেচাৰ 'লেচিঙ্গ' আৰু 'মেকডনেল্ড' আদিয়ে কৈ গৈছে। ভাৰতৰ নাট্যলীলাক প্ৰথমে প্ৰথমে ধৰ্ম্ম প্ৰচাৰৰ আহিলা স্বৰূপে এই বৌদ্ধ সকলেই ব্যৱহাৰ কৰে, গতিকে পালীভাষাত অনেক নাটক হোৱা স্বাভাবিক। সংস্কৃতৰ নাটকতো যে বৌদ্ধ ধৰ্ম্মৰ উৎকৰ্ষ আৰু প্ৰভাৱৰ ছাট পৰা নাই তাকো কব নোৱাৰি। দেখাদেখিকৈ নাগানন্দ নামৰ নাটক খনিত বৌদ্ধ ধৰ্ম্মৰ উৎকৰ্ষৰ প্ৰশংসা পৰিলক্ষিত হয়।

বৌদ্ধযুগৰ সংস্কৃত নাটকত কেবাটিও বিশেষত্ব আছে। প্ৰায় সকলোখিনি নাটকেই শৃঙ্গাৰ বা আদি ৰস প্ৰধান;— বিষয়-বস্তু প্ৰেম। ই পাশবিক প্ৰেম নহয়, মানবোচিত পবিত্ৰ প্ৰেম—যি প্ৰেমৰ পুণ্য ধাৰা স্বৰ্গ মৰ্ত্ত্য বিয়াপি সকলো কাল সকলো ব্যৱধান ব্যৰ্থ কৰি ভাৰতৰ অন্তৰৰো অন্তৰত সৰস্বতী নদীৰ দৰে বব লাগিছে। এই প্ৰেমৰ মাদকতা আছে, বাতুলতা নাই; অবিৰল অশ্ৰু আছে, বিৰহৰ ব্যৰ্থতা নাই; নিয়তিৰ প্ৰবল ধুমুহা আছে, পদস্খলনৰ আশঙ্কা নাই। এই প্ৰেমৰে নায়ক নায়িকা ভেদে, জনে জনে কবিয়ে নাটকে নাটকে একো একোটি নতুন ৰূপৰ, নতুন কলাৰ আভাস দিবৰ চেষ্টা কৰিছে। অধিকাংশ নাটকতেই কবিতাৰ মাজে দি প্ৰাণৰ আবেগৰ প্ৰকাশ। প্ৰায় সকলো খিনিয়েই সাধাৰণ কথাৰ গদ্য আৰু নানান ছন্দৰ কবিতাৰে মিশ্ৰিত। কবিতাত কোনো উপস্থিত দৃশ্য বা ব্যক্তিৰ বৰ্ণনা অথবা সেই দৃশ্যৰ

সংস্পৰ্শত উতলি উঠা আবেগৰ ঝঙ্কাৰ। কৰুণ ৰসৰ লগে লগে হাস্যৰসৰ সমাবেশ। শ্ৰোতা আৰু দৰ্শকৰ উৎসুক্য উৎপাদনৰ নিমিত্তে ঠাই বিশেষে চলিত ঘটনাৰ মাজত আকস্মিক ঘটনাৰ প্ৰক্ষেপ। প্ৰায়বিলাক উপাখ্যানেই ৰামায়ণ, মহাভাৰত, পুৰাণ বা লৌকিক বৃত্তান্তৰ। কোনো কোনোখনত সমসাময়িক ইতিহাসৰ বৃত্তান্তও পোৱা যায়। স্থলভেদে প্ৰাকৃতিকৰ লগে লগে অনৈসৰ্গিক ঘটনাৰ সমাবেশো অতি বিৰল নহয়। সকলো খিনিয়ে নাট্যশাস্ত্ৰৰ বিধান মানিছে—সেই নান্দী আৰু সূত্ৰধাৰ আদিৰে আৰম্ভণ, প্ৰশস্তিৰ শ্লোকেৰে শেষ; যি দৃশ্যত দৰ্শকৰ আত্যন্তিক আবেগৰ সম্ভাৱনা তেনে লোমহৰ্ষক কাণ্ড নাটকত নেদেখুৱাই নেপথ্যত দেখুওৱাৰ ব্যৱস্থা। কেৱল 'নাগানন্দ' আৰু 'বেণীসংহাৰ'ত অলপ ব্যভিচাৰ দেখা যায়। নাটকীয় বৃত্তান্তৰ নতুন সৃষ্টিত কাৰো মৌলিকতা নাথাকিলেও কবিতাৰ মৌলিকতা আৰু একে চৰিত্ৰকে অন্যৰূপে অঙ্কন কৰি এক বিশিষ্ট ৰূপ দিয়াৰ মৌলিকতা সকলোখিনিতেই আছে। সকলো নাটকেই মিলনান্তক—শেষত মৰণ বা বিষাদ নাই।

য়ুৰোপীয় বিদ্বান সকলে ভাৰতীয় নাটকৰ চৰিত্ৰ-বিলাক বিশ্বব্যাপক বা সমষ্টি বা শ্ৰেণী জ্ঞাপক নহয়— ব্যক্তিগত বুলিহে মন্তব্য প্ৰকাশ কৰে। কি সুৰত যে সিবিলাকে এইদৰে কয় তাক বুজা টান। ভাৰতৰ নাট্যবেদৰ মহাবাণী ভাৰতেই প্ৰথম শুনিছিল—'ই সপ্তদ্বীপৰ অনুকৰণ হওক।' সকলো মানৱৰ যত মিল সেই মিলেৰেই চৰিত্ৰ আঁকিবলৈ ভাৰতৰ নাট্যকাৰে চেষ্টা কৰি আহিছে। যদি দৃষ্টান্ত স্বৰূপে ভাৰতৰ শ্ৰেষ্ঠ কবি কালিদাসৰ দুই এটি নাটকীয় চৰিত্ৰৰ লগত য়ুৰোপৰ শ্ৰেষ্ঠ কবি 'চেক্স্‌পিয়েৰৰ' দুই এটি বিজাই চোৱা যায় তেনে ভাৰতীয় নাটকৰ উদ্দেশ্যটি ভালকৈয়ে চকুত পৰিব। 'চেক্স্‌পিয়েৰৰ 'ৰমিঅ' জুলিয়েটলৈ চালে এই বিশ্বৰ দুটি প্ৰেমোন্মত্ত ছবিলৈ চোৱা যেন লাগে।—দুইৰো লোমহৰ্ষক আত্মহত্যা দেখি মনে মনে ভাব হয়—দেহি! মনৰ অন্য বল যদি থাকিলহেঁতেন, কিয় বেচেৰিহঁতে আত্মহত্যা কৰে! হাজাৰে সহানুভূতি আৰু সহবেদনা হওক এই ছবি দুটি আমাৰ পৰা আঁতৰি যায়—দৃশ্য আৰু দ্ৰষ্টাৰ ব্যৱধান পৰেহে। কিন্তু দুষ্মন্তলৈ যেতিয়া চাও দেখোঁ যে নাটকত ইটি ঘটনাৰ পাছত সিটি ঘটনা এনেদৰে আহিছে য'ত প্ৰতিবাৰে আমাৰ হৃদয়, আমাৰ ধৰ্ম্ম, আমাৰ সমাজ ভীষণ উৰ্ম্মিৰ আঘাতত কঁপিব লাগিছে! আমি উৎসুক্য হৈছোঁ, আমাক সমাধান লাগে। ই যে অকল দুষ্মন্তৰ সমস্যা নহয়, ৰজাৰ সমস্যা নহয়, মানৱ জাতিৰ সমস্যা। এই ধৰ্ম্ম, এই হৃদয় আৰু এই সমাজৰ ক্ৰিয়া প্ৰতিক্ৰিয়াই আমাৰ জীৱন—ই যে আমাৰেই সমস্যা!

এই সমস্যাত আমি আৰু দুষ্মন্ত এক হৈ গলোঁ। দৃশ্য আৰু দ্ৰষ্টাৰ ব্যৱধান উৰি গল। সৰল চহা সমাজত যি নাইয়েই নে বৰ্ত্তমান সদৰী সমাজতো "জুলিয়েটক" আপোন বোলা চৰিত্ৰ ভাৰতত অতি বিৰল। শকুন্তলাৰ হিয়া ভৰা প্ৰেমৰ কি আকুলতা অথচ লাজেৰে কুচি মুচি কওঁ বুলি কব নোৱাৰা কেনে মোহলগা অৱস্থা। প্ৰেমৰ এক নিষ্ঠাত গৃহ কাৰ্য্যৰ কেনে অৱহেলা, সমাজ আৰু ধৰ্ম্মৰ কি গঞ্জনা, পুৰুষৰ কঠিন হৃদয়ৰ প্ৰতি-ঘাতত প্ৰেমোন্মাদিনী তটিনীৰ কি স্বাভাবিক প্ৰত্যাখান অনাদৃতা কামিনীৰ কি অসংলগ্ন কথাৰে যুক্তিৰ অৱ-তাৰনা; সবাৰো শেহত সৰ্ব্বসহনশীলা ধৰিত্ৰীৰ দৰে উদাৰ নাৰী হৃদয়ৰ কি পবিত্ৰ পৰিচয়; প্ৰকৃতিৰ প্ৰভাৱত পুৰুষৰ শিৰ দোঁ খাই আহিল। আখৰে আখৰে এই চৰিত্ৰ ভাৰতৰ স্ত্ৰীৰ চৰিত্ৰৰ লগত মিলি যায়; সেই হে কুলপতি কণ্বমুনি যদিও গৃহী নাছিল শকুন্ত-লাক উলিয়াই দিবৰ বেলিকা নিজৰ ছোৱালী এজনী উলিয়াই দিয়াৰ দৰে কান্দিছিল। আমাৰো নিজৰ ছোৱালী বা ভনী এজনী উলিয়াই দিয়াৰ দৰে আঘাত লাগে, দৰ দৰ কৰে চকু পানী বৈ আহে। এই খিনিতে নিজৰ যেন লাগি দৃশ্য আৰু দ্ৰষ্টাৰ ব্যৱধান উৰি যায়। এই চৰিত্ৰৰ বিশ্বব্যাপকতা ভাৰতৰ নাটকৰ প্ৰাণ। অকল কালিদাসতে নহয় বহু নাটকত এনে চৰিত্ৰ অঙ্কনৰ চেষ্টা সুন্দৰকৈ ফুটি পৰিছে তাকে কবি বিশেষে কিছু বেচি. কবি বিশেষে কিছু কম।

নাট্য শাস্ত্ৰৰ আদি ইতিহাসটিৰ পৰা এতিয়ালৈকে

ভাৰতবৰ্ষত যি গতিৰে নাট্য লীলা চলিব লাগিছে, তালৈ লক্ষ্য কৰিলে স্বভাৱত এনে ধাৰণা হয় যে অন্যান্য বিষয়ৰ দৰে নাট্যলীলাইও উত্থান পতনৰ ঢৌ খেলি খেলি মানৱ কল্পনাৰ বহুদূৰে দি এক নেদেখা নুশুনা গম্যলৈ যাব লাগিছে। মানুহৰ যেনে দৈনিক জীৱনত নাট্যলীলাৰ স্পৃহালৈ একো একোটি ক্ষণ আহে সেইদৰে অনেকৰ সমষ্টি একো একো সম্প্ৰদায়লৈ বছৰে বছৰে একো একোটি ঋতু আহে তেতিয়া সেই সম্প্ৰদায়ৰ ঢোল পেপা আনন্দত বাজি উঠে। এই অনুক্ৰমেই গোটেই জগতলৈকো হাজাৰ দুহাজাৰ বছৰ বিয়াপি একো একোটি যুগ আহে আৰু তেতিয়া যুগধৰ্ম্ম আৰু জাতীয় জীৱনৰ উৎকৰ্ষ বা জাগৰণৰ ধ্বনি লৈ নাট্যলীলা উন্নতিৰ শেষ শিখৰলৈ উঠি যায়। জাতীয় প্ৰাণৰ তান নাট্যবীণাত তীব্ৰ মধুৰ সুৰে বাজি উঠে। ৰামায়ণক বুকুত লৈ হেজাৰ হেজাৰ বছৰ বিয়াপি এনে এটি যুগ ভাৰতলৈ আহিছিল। মহাভাৰতৰ দিনত হয়তো আৰু এটি এনে যুগ আহিছিল। ভাৰত যুদ্ধ হেন, বিধ্বংসনীয় মহাৰণত গোটেই ভাৰত ধনে জনে ভালে শ বছৰলৈ জুৰুলা লাগিল, নাট্যবীণাত আঙুলি বুলাই এক নতুন যুগৰ তানা নানা জুৰিবলৈ আৰু কোনো নোলাল। গতিকে ৰামায়নৰ জগত জিনা সুমধুৰ দোহাৰি দোহাৰি মহাভাৰত যুগ লাহে লাহে বৌদ্ধ যুগ পালেহি। বৌদ্ধ যুগৰ আগতে এই যুগৰ বেলি ভাটি দিলে। পচিম আকাশৰ আবেলিৰ বেলিটিয়ে ৰঙা ৰতোৱালে য়ুৰোপৰ পূব আকাশ এক নতুন পুৱতিৰ সোণৰ ৰাগেৰে ৰহণাই দিলে। প্ৰভাতী বীণাৰ প্ৰতি ধ্বনি শুনিবলৈ গ্ৰীক আৰু ৰোমানত বাজে তেতিয়াও য়ুৰোপৰ আৰু কোনো জাতি জাগি উঠা নাছিল।

য়ুৰোপৰ পোণ প্ৰথমেই গ্ৰীক জাতি মূৰ তুলি উঠে। তাৰ আগলৈকে গ্ৰীচ আৰু ইটালীত অতি আদি স্তৰৰ সৰ্ব্ব সাধাৰণ নাট্যলীলা চলি আছিল। সেই চৰ্ম্মজ বা ধাতুজ বাজনা তাৰ তালত আদি ধৰণৰ গীত মাতেৰে নৃত্য, উৎসৱ আৰু তাৰ লগে লগে টেট কুটীয়া কথাৰ বহুৱাৰ ভাও। ইটালীত এনে ধৰণৰ নাট্যলীলাৰ নাম আছিল 'মাইম' গ্ৰীচ দেশত 'চুচাৰিয়ণ' চুচাৰিয়ণ নামৰ এজন ভাৱৰীয়াই এনে ধৰণৰ নাট্যলীলা লৈ ঠায়ে ঠায়ে ফুৰি ফুৰাৰ প্ৰৱাদ আছে। ই মানৱজাতিৰ সৰ্ব্ব সাধাৰণৰ সম্পত্তি বোলা হৈছে যদিও এনে ধৰণৰ নাট্য লীলাতো ভাৰতৰ এটি ক্ষীণ দাবী ৰৈ গৈছে। অনেক প্ৰত্নতত্ত্ববিদ আৰু নৃতত্ত্ববিদে অনুমান কৰে পৃথিবীৰ যাবতীয় আৰ্য্য অনাৰ্য্যৰ আদিম স্থান হিমালয় প্ৰদেশ। যদি সেয়ে হয় এই ধৰণৰ নাট্য লীলাতো ভাৰতী বীণাৰ প্ৰাণ সুৰ থকাতো একো বিচিত্ৰ নহয়।

খৃষ্ট পূৰ্ব্ব পঞ্চম শতিকাৰ শেহভাগ দৃশ্যকাব্য হিচাপে গ্ৰীক ট্ৰেজেডিৰ প্ৰথম জনম। ইয়াৰ অলপৰ আগতে থেম্পিচ নামৰ গ্ৰীক এজনে বেক্কচৰ উৎসৱত আবৃত্তি কৰাৰ দৰে করুণ সুৰৰ কবিতাৰে প্ৰথম চেষ্টা যদিও কৰিছিল, তথাপিতো গ্ৰীক্ ট্ৰেজেডি বুলিলে যি বুজা যায়, তাৰ আচল জন্মদাতা ইস্কিলচ হে। মাজে মাজে গীত বাদ্যেৰে গায়েনৰ গীত দি দুজন ভাৱৰীয়াৰে হাস্যে তৰ ৰসৰ মনোমোহা অভিনয় পাতি এওঁয়েই প্ৰথমে প্ৰথমে জাতি মুগ্ধ কৰে। গ্ৰীচৰ অভিনয়ত প্ৰথম মুখৰ ব্যৱহাৰ এওঁৰ দিনতে। এই 'ইস্কিলচৰ' জীৱনৰ শেহ ছোৱাত 'চফ'ক্লিজ' নামৰ আৰু এজন কৃতীয়ে তিনিজন ভাৱৰীয়াৰে আদি ট্ৰেজেডি আৰু সুন্দৰকৈ তুলিলে। 'ইস্কিলচ'ৰ মৃত্যুৰ পাছত 'চ'ফ'ক্লিজ'ৰ জীৱনৰ শেহ ছোৱাত 'ইউৰিপিডিজ' নামৰ তৃতীয় নাট্যকাৰ এজনে প্ৰকৃত নৰনাৰীৰ চৰিত্ৰেৰে ট্ৰেজেডিত এটি নতুন বোল দিলে। তুলনাত 'ইউৰিপিডিজ'ৰ নাটক কিথনি আগৰ দুইজনৰ নাটকতকৈ হীন যদিও, কালত এই কিথনিৰেই 'ৰ'ম' আৰু 'ৰ'ম'ৰ জৰীয়তে 'ফ্ৰান্স'ৰ কুলীন আদৰ্শ হৈ পৰিল। এইজনা নাট্যকাৰৰ দিনতে গ্ৰীচত ট্ৰেজেডিৰ বেলিয়ে ভাটি দিলে, আৰু পচিমে ইটালীৰ আকাশত ৰাতি পুৱাল। অৰ্দ্ধ জগত বিজেতা 'এলেগ ঝেণ্ডাৰ'ৰ দিনৰ পৰা খৃষ্টাব্দৰ দ্বিতীয় শতিকালৈকে মেঘৰ আঁৰে আঁৰে ডকা-ডমকাকৈ দেখা দিছিল যদিও, বেলিৰ আৰু দুপৰৰ তেজ নাছিল।

গ্ৰীক 'ট্ৰেজেডি'ত স্বভাৱতে দৰ্শকৰ যি শোকোচ্ছাস, যি আতঙ্ক জাগে তাৰ সমুচিত সমাধান নেপাই আকুলতা অস্থিৰ হৈ উঠে। গতিকে তাকে কিছু পৰিমাণে পাতলাবৰ মনেৰে লগে লগে হাস্যৰসৰ 'কমেডি'ৰ প্ৰয়োজন হ'ল। ইস্কিলচৰ প্ৰথম 'ট্ৰেজেডি'ৰ সাতাৱন বছৰৰ পাছত 'এৰিষ্ট'ফেনিজে' আৰু তেওঁৰ লগা লগিকৈ আৰু কেবা জনো নাট্যকাৰে হাস্যৰসৰ নামত ব্যক্তিগত কুৎসা আৰু ৰাজহুৱা সমস্যাৰ ব্যঙ্গচিত্ৰৰ অভিনয়েৰে ৰঙ্গপীঠত হাঁহিৰ খলকনি তুলিবলৈ ধৰিলে। পাছলৈ অইন নেলাগে নাম ধৰি ও ব্যক্তিবিশেষক প্ৰকাশ্যে বিদ্ৰূপ কৰিবলৈ লাগিল। কিছুকালৰ পাছত 'মেনেণ্ডাৰে' হাস্যৰসৰ এই নীচ আবৰ্জ্জনা গুচাই তাক পৰিমাৰ্জ্জিত কৰি 'মিডোল কমিডি'ৰ যুগ প্ৰচলন কৰিলে। ইয়াৰ পাছতে খৃষ্ট পূৰ্ব্ব ১৪৬ বছৰত গ্ৰীচ ৰমৰ শাসনলৈ যায়। স্বাধীনতা হীনতাৰ লগে লগেই জয়গৰ্ব্বে উঠি অহা গ্ৰীকজাতিৰ নাট্যলীলা দুপতীয়াতে জুমুৰা লাগিল।

গ্ৰীক ঔৰসৰ 'নিভিয়চ এণ্ড্ৰনিকচে' খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাতে ইটালীৰ 'মাইম'ৰ ঠাইত দৃশ্যকাব্যৰ প্ৰথম অৱতাৰণা কৰিছিল। এই নাট্যলীলা দেখি 'চেনিকাই' খোলাখুলিকৈ গ্ৰীক নাটকৰ অনুকৰণত লাগি গ'ল। গ্ৰীক 'কমিডিৰ অনুকৰণৰ মাজেদি 'প্লটাচ'ৰ দিনত ৰমানৰ জাতীয় ভাব জাগি উঠিল। এই 'প্লটাচ'ৰ এখনি নাটকেই পাছলৈ ফ্ৰান্সৰ সাজ পাৰ পিন্ধি 'মলায়েৰ'ৰ 'লাহ্বেৰে' বা 'ডি মাইজাৰ' হ'ল, আৰু এখনি ইংৰাজী সাজপাৰেৰে 'চেক্সপিয়েৰ'ৰ 'কমিডি অৱ এৰৰ্চ' হৈ আজিও জগতত জিলিকি আছে। ৰমান নাট্যকাৰ 'টৰেন্স'ৰ নাটকত ৰমানৰ জাতীয় ভাৱ আৰু ভালকৈ ফুটি পৰিছিল। লাহে লাহে ৰমানৰ জাতীয় জুতি নাটকৰ ৰসতকৈ 'গ্লেডিটৰিয়েল' আদি শাৰীৰিক শক্তি আৰু তাৰ উৎকৰ্ষ সাধনৰ ফাললৈহে বেচিকৈ ঢাল ললে। আদৰ যতন কমি আহিলত ৰমানৰ নাট্যলীলা গজালীতে জঁয় পৰিল।

ইয়াৰ পাছতে দেশে বিদেশে অন্তৰে বাহিৰে ৰণদেৱতাৰ ৰণশিঙ্গা বাজিবলৈ ধৰিলে!—ধাৰাসাৰ ৰক্তপাত, অস্ত্ৰশস্ত্ৰৰ ভীষণ গাজনিত আলৌলোৱা নাট্যলীলা চকি চকি নিজমি গল। ধৰ্ম্ম যাজকৰ নাট্যলৈ যি বিস্পৃহা, তাৰ প্ৰভাৱত প'পৰ একাধিপত্যৰ যুগ ব্যাপি প্ৰায় সাত আঠ শ বছৰলৈ য়ুৰোপৰ নাট্যলীলা একেবাৰেই নিমাত হৈ থাকিল।

অইন অইন দেশৰ দৰে এই যুগত ভাৰতৰ বুকুতো ঘন ঘন বজ্ৰাঘাত পৰিছিল। ভাৰতৰ বৰ ভাগ্য, সেই হেন দুৰ্দ্দিনৰ শত হাহাকাৰৰ মাজত বুকুৰ ধনৰ যতন কৰিবলৈ, জ্ঞানৰ অখণ্ড প্ৰদীপ জলাই থবলৈ, চিৰ প্ৰবাহিত নাট্যধাৰা বোৱাই ৰাখিবলৈ, সমাজৰ এটি বিভাগ আছুটীয়াকৈ থব পাৰিছিল। সেই হে জগতৰ বীণা নিৰৱ হলতো ভাৰতৰ মূল বীণা বাজিয়েই আছিল,—বিৰাম নাই। অষ্টম শতিকাৰ ভৱভূতিৰ পাছত বেণীসংহাৰ প্ৰণেতা ভট্টনাৰায়ণ; বিদ্ধশাল ভঞ্জিকা, কৰ্পূৰমঞ্জৰী, বাল ৰামায়ণ, আৰু প্ৰচণ্ড পাণ্ডৱৰ নাট্যকাৰ কবি ৰাজশেখৰ; দশম শতিকাৰ চণ্ডকৌশিক প্ৰণেতা ক্ষেমীশ্বৰ; একাদশ শতিকাৰ মহানাটক প্ৰণেতা মধুসূদন মিশ্ৰ, প্ৰবোধচন্দ্ৰোদয় প্ৰণেতা কৃষ্ণ মিশ্ৰ, চতুৰ্দ্দশ শতিকাৰ অনৰ্ঘৰাঘৱ প্ৰণেতা মুৰাৰী মিশ্ৰ, ষোড়শ শতিকাৰ অভিৰাম মণি প্ৰণেতা সুন্দৰ মিশ্ৰ; আৰু অষ্টাদশ শতিকাৰ কংসবধ প্ৰণেতা কৃষ্ণ কবি আদিৰ নাম সবিশেষ উল্লেখযোগ্য। ইয়াত বাজেও অধ্যাপক মেকডনেল্ডে দ্বাদশ শতিকাৰ পাছত আৰু অসংখ্য নাটক আৰু প্ৰহসন ৰচা হৈছিল বুলি লিখি গৈছে। দ্বাদশ শতিকাৰ শেহভাগৰ পৰা ভাৰতৰ বুকুত ভাষা, ধৰ্ম্ম আৰু স্বাধীনতা লৈ যি ৰাষ্ট্ৰবিপ্লৱৰ ধুমুহা বৈছিল তাতো যে নাট্যৰ শলিতা গছি নুনুমোৱাকৈ থিৰে থাকিব পাৰিছিল ই সঁচাসচিকৈয়ে বৰ গৌৰৱৰ বিষয়।

এই যুগৰে শেহভাগলৈ অগ্নিপুৰাণৰ অনুসাৰে সাহিত্য দৰ্পণে নাট্য শাস্ত্ৰৰ দশৰূপকৰ ভিতৰত নপৰা উপৰূপকৰ নাটকবিলাকক বিষয়, ৰস, পাত্ৰ, আৰু অঙ্কাদি ভেদে ওঠৰ ভাগত ভগাই পেলালে, আৰু প্ৰত্যেক ভাগৰে এখনি দুখনিকৈ উদাহৰণ দিও গ'ল। ভাগে ভাগে নাম দিলে—নাটিকা, তোটক, গোষ্ঠি, সট্টক, নাট্যাসদ, প্ৰস্থান, উল্লাপ্য, কাব্য, প্ৰেঙখন, ৰাসক, সংলাপক, শ্ৰীগদিত, শিল্পক, বিলাসিকা, দুৰ্ম্মলিকা, প্ৰকৰণিকা, হল্লীষা, আৰু ভাণিকা। ইয়াৰে ভাগ দিয়েক চাৰি বা পাঁচ অঙ্কৰ। সৰহভাগেই এক অঙ্কীয়া। এবিধৰ ভাষা শুধ প্ৰাকৃত, আৰু বাকীখিনিৰ অধিকাংশই হাস্যৰস প্ৰধান। কেবাভাগতো আগৰ পৰা গুৰিলৈকে সঙ্গীত। কোৱা বাহুল্য এই ভাগে ভাগে চাগৈ কত নাটকৰ ৰচনা হৈছিল—ক'ত হেৰাল তাৰ সন্ধান কোনে দিব?

—আগলৈ

লাভ-লোকচান

কথা]

—শ্ৰীযুত মহীন্দ্ৰ চন্দ্ৰ বৰা, বি-এল

ছোৱালীবোৰ ওপজে কিয় !

ঘৰুৱা ব্যয়ৰ বছেৰেকীয় তালিকা তৈয়াৰ কৰাত আৰু সেই মতে কড়ি ক্ৰান্তিৰো হেৰফেৰ খৰচ কৰাত পৈনত পুৰুষ সিদ্ধিনাথ শইকীয়াই এইবাৰ বাজেট ঘটিবলৈ গৈ চকুৰ আগতে সয়িৰহৰ ফুল দেখিলে। দেখিবৰ কথাই। বহাগ বিহুৰ দিনা পঞ্জিকা মেলি আমাৰ পঞ্চানন বাপুৱে শইকীয়াৰ আয় ব্যয়ৰ স্থিতিৰ নিৰ্ণয় কৰি কৈছিল। শইকীয়াৰ আয় ১৭, ব্যয়—৩, স্থিতি ১৪। শইকীয়াৰ বয়স একাৱন্নৰ ওচৰ চাপিছে কিন্তু কোনো কালেই ভুলতো তেওঁৰ এনে দুৰ্য্যোগ উপস্থিত হোৱা নাছিল। শইকীয়াৰ দুকুৰি দহ বছৰে একেৰাহে শইকীয়াৰ ভাগ্যত আয়ৰ পৰিমাণ ব্যয়তকৈও উনৈশ গুণ বেছি দেখি আহিছিল। গতিকে এই আগন্তুক ভাগ্য বিপৰ্য্যয়ত শইকীয়াৰ মন অস্থিৰ হবই।

কিন্তু সেই ভাগ্য গণনাৰ ফল ইমান সোনকালে ফলিয়াব বুলি শইকীয়াৰ সাত শতকৰেও ভবা নাছিল। যিবা এখনি শইকীয়াৰ চাহ বাগিচা আছে তাৰ চাহৰ দামো ক্ৰমে ক্ৰমে পৰি শেহত পাউণ্ডত পাচ পইচাত ৰল গৈ। বেঙ্কত জমা হোৱা ষাঠি হেজাৰীয়া ডিপজিটৰ সুদ টুটি শতকৰা বছৰে সাত টকা পালেগৈ! আৰু বা কি হয়; নাই, কমলাত বিশ্বাস নাই! বৰ চঞ্চল, বৰ চপল! তাৰ উপৰি...।

শইকীয়াক ধনগুলৈ বান্ধকানি বুলি কোনোৱে হাঁহে কোনোৱে মুখ সিকটায় নাক কোঁচায়। ঈশ্বৰে দিয়া নাক মুখ আছে যেতিয়া ইচ্ছা কৰি লোকে সেই বোৰৰ বিকাৰ ঘটোৱাত অৱশ্যে আমাৰ আপত্তি নাই ধন চপাব জানে সকলোৱেই। কিন্তু কেই টাই খৰচৰ বাটত হেঙ্গাৰ দিব জানে। খৰচ নকৰিবৰ কিটিপেই বা জানে কেইটাই।

শইকীয়াই যে অকল ধন ঘটিবই জানে। এনে নহয় ঘটা ধন আটোম টোকাৰিকৈ ৰাখিবও জানে। বুঢ়াৰ হাতত বোলে চেঙেলী পৰিলে তাৰ আৰু সাৰণ নাই, শইকীয়াৰ মুঠিত পৰা ধনৰো চৈধ্য পুৰুষৰ সাধ্য নাই, বাহিৰ ওলাই উশাহ নিশাহ লবলৈ। কৌৰবৰ মেৰপাকত অভিমন্যুৰ প্ৰৱংশ আৰু শইকীয়াৰ থুনুপাকত অৰ্থৰ সমাগম একে কথা। সোমাব জানে কিন্তু ওলাবৰ বাট চিনি নাপায়।

যক। অ' কি কৈছিলো। তাৰ উপৰি এইবাৰ বিয়াৰ লেঠা, নিজৰ ছোৱালীৰ! এই ছোৱালীবোৰ ওপজে কিয়। ওপজে ওপজক কিন্তু সিহঁতক বিয়া দিব আৰু লগে লগে বয় বস্তু গহনা পাতি দি দৰাৰ লগত উলিয়াই দিব লাগে কিয়। সকৰে পৰা সিহতক তুলি তালি খুৱাই পিন্ধাই ডাঙৰ দীঘল কৰাত গাৰ তেজ পানী কৰি ঘটা টকাৰ যে শ্ৰাদ্ধ হয় তাক কোনে বুকুত হাত দি নুই কৰিব পাৰে। পিছত দে শ ছেৰেক ভৰি বিয়া। উঃ—আমাৰ সমাজ অন্ধলা হল কেতিয়াৰ পৰা, ছাহাব ছুহাবৰ বিয়াৰ প্ৰথা কেনে সুন্দৰ কেনে চমৎকাৰ। ইকনমিকেলি, কিমান চাউণ্ড। অসমীয়াৰ শিক্ষিত সমাজ ৰসাতললৈ যোৱাৰ আৰু বেছি দিন নাই।

শইকীয়াই মনে মনে গণিলে ছোৱালীৰ বয়স এই ফাগুনত হব কুৰি। লোকৰ আগত তেৰৰপৰা ষোলৰ ভিতৰতে বুলি যিমানেই নকওঁ। মাহে কম পক্ষেও পাঁচ টকি নগদ চিকা ৰূপ ছোৱালীয়ে পেটত ভৰাইছে। বছৰি হল পাঁচ বাৰং তোমাৰ ষাঠি! কুৰি বছৰত হল তোমাৰ কিমান! পাচ বছৰত তোমাৰ তিনিশ উস কুৰি বছৰত বাৰশ—এহেজাৰ দুশ—দহশ দহ কুৰি।

সেইবাবে ছোৱালীৰ টান নৰিয়াত উৰিল তোমাৰ নপতিয়াবা নগদ আঢ়ৈ কুৰি। আৰু ধৰা অগৰং বগৰঙত তোমাৰ অতি কমেও শ ছ কুৰি। ভূতৰ ওপৰতে দানহ। এই অনাটনৰ দিনত মৰতীৰ বয়স হল কুৰি। বিয়া বোলে দিবই লাগিব আৰু পাচ বছৰ মান তাইক ৰাখিব নোৱাৰিনে? লাভ নাই, বস্তু বাহানিৰ দাম এতিয়াতকৈ কি জানি ব তেতিয়ালৈ চৰেই। পাচ বছৰত আকৌ তাই গিলিব পোন্ধৰ কুৰি—নাই টকা নহল যেনিবা খোলাকটি। এই ছোৱালীয়েই দেখিছো মোৰ খোলা উলিয়াব, লাউ লোৱা কৰিব। হুঃ ধন ঘটায়েহে জানে।

খং উঠিল ঘৈনীয়েকৰ ওপৰত। ছোৱালী লাগে ঘৰখনত ছোৱালী লাগে বুলি তেওঁ হামৰাও কাৰি ফুৰিছিল কিয়? এতিয়া! দিয়ক মাকেই বিয়া। কিন্তু।

বিমোৰ হৈ শইকীয়াই তেওঁৰ সোঁ হাত মঘা মহৰীক মাতি পঠালে।

মঘায়াং যাত্ৰা মৰণং ধ্ৰুবঞ্চ

মঘা মহৰী বুদ্ধিমন্ত, ভাগ্যৱন্ত নামজলা লোক। মাখিৰ মূৰৰ মগজু কাঢ়িব জানে তেওঁ। কোন কাহানিবাই মঘা নক্ষত্ৰই তেওঁৰ ভাগ্যত ভুমুকি মাৰি তেওঁৰ যি উপকাৰ সাধিলে কেৰাণী জীৱনৰ ইতিহাসৰ পাতত সি চিৰকাল সোণালী আখৰেৰে জিলিকি থাকিবই!

দেৰ কুৰি বছৰৰ আগৰ কথা। ইংৰাজী স্কুলৰ সপ্তম শ্ৰেণীৰ পৰা খেদা খাই মহৰীৰৰ ভাষাৰে কবলৈ গলে তেওঁ আই, ভি, এছ অৰ্থাৎ ইণ্ডিয়ান ভেগা বন্দ ছাৰ্ভিচত ভৰ্ত্তি হৈ কিছুকাল অনাই বনাই ফুৰি শেহত কপালৰ গুণত গড় কাপ্টনি বিভাগৰ মহৰী কামত সোমায়।

সেই দিনা আছিল বৃহস্পতিবাৰ। কুলীৰ কামৰ বিল ছাহাবৰ আগত পেচ কৰিলত ছাহাবে বিলৰ টকাৰ সংখ্যালৈ চকু দি সন্দেহত ফোৰোহনি মাৰি কাগজপত্ৰ দলিয়াই কলে—"বাবু, মই নিজে কাম চাবলৈ ওলালোঁ। ইমান টকাৰ কাম কেতিয়াও হোৱা নাই!"

মহৰীৰ মুখ শুকাল। সেপ ঢুকি কলে—"হুজুৰ খোদাবন্দ। বহু দূৰৈত কাম!—পথ ঘাট বেয়া, দুদিনমান পিছত গলে হুজুৰৰ কাৰণে বাট-পথ নিয়াৰিকৈ থব পাৰোঁ।—নহলে হুজুৰৰ বাটত বৰ কষ্ট হব।"

"ঘোৰাত যাম!—ছহিচ্।"

বিলৰ বগা টকাৰে চিক্‌মিক্ কৰা মহৰীৰ ৰূপালি সংসাৰখন চকু-পচাৰতে নিৰ্ম্মম ভাবে আন্ধাৰে আবৰি পেলালে! কিন্তু মহৰীৰ প্ৰতি বোধ কৰোঁ ইষ্ট গুৰু সুপ্ৰসন্ন আছিল। হঠাৎ মহৰীয়ে হাত যোৰ কৰি কলে—"হুজুৰ যাব খুইছে যেতিয়া গোলামে আৰু কি কম। কিন্তু এই বৃহস্পতিবাৰৰ বাৰবেলাটো বৰ অশুভ—দক্ষিণত দিকশূল!—তিথি হল ষষ্ঠী। দিনদগ্ধা কথনং। তাতে আকৌ আজি মঘা নক্ষত্ৰৰ পূৰ্ণ দৃষ্টি!—আমি হিন্দু মনুষ্য হুজুৰ। কোনো হিন্দুৰ পোৱে পৰম শত্ৰুকো এনে অৱস্থাত কোনো ঠাইলৈ যাবলৈ দিব নোৱাৰে। হুজুৰ মোৰ মা বাপ—কোন সতেৰে যাবলৈ কওঁ!—মঘায়াং যাত্ৰা মৰণং ধ্ৰুবঞ্চ—হুজুৰ!"

মহৰীয়ে বেজাৰত চকু মোহাৰি মেমৰ মুখলৈ চালে। "দেম ইয়ৰ মঘা" বুলি ছাহাব গৰজি উঠিল।

মহৰীৰ নিষেধ নামানি ছাহাবে ঘোৰাঁ চেকুৰালে। ভয়ত মহৰীৰ গা কঁপিবলৈ ধৰিলে—মুখে বিবিধ বৰণ সলালে। কামৰতো আধ্যা পৰিলেই—তাৰ উপৰি মিছা বিল দি টকা খাবৰ চেষ্টাৰ কাৰণে আইনৰ ভাৱৰী পাকে যে তেওঁক কিমান চেপিব তাৰেই বা কি ঠিক আছে?

"হে বৃহস্পতিবাৰৰ বাৰবেলা, হে মোৰ গুৰু মঘা দিক শূল দেৱতা—জখিনী যোগিনী যত যি আছা হক লৰা-ছোৱালী কিটিৰ বধ লাগে এক!—এই বিপদত অধমক উদ্ধাৰ কৰা ঐ। যোৰ কলা পঠাৰ তপত তেজেৰে চৰণ পখালিম মোৰ প্ৰভু সকল।"—মহৰীয়ে চুলি ছিঙি তুতি জনালে।

আবেলি বিজুলী তাঁৰে গোটেই চহৰত জাননী দিলে ঘোৰাৰ পৰা পৰি ছাহাব হতজ্ঞান বুলি। মহৰীৰ মুখত সন্তোষৰ হাঁহি বিৰিঙি পৰিল।—আনন্দত উচল-পাচল।

তিনদিনৰ মূৰত ছাহাবৰ জ্ঞান আহিল। মেমে মহৰীক কলে "বাবু তোমাৰ মঘা বৰ প্ৰতাপী লোক।" ছাহাবে কলে"তোমাৰ কথা নুশুনি যোৱাৰ ফলত মোৰ বৰ বিপদ হল বাবু, মঘা বৰ পাজি—জুলুমবাজ। এতিয়াৰে পৰা তুমি মোক মঘা কেতিয়া আহে জনাই থাকিবা।"

"কেলেই নজনাম হুজুৰ! কিন্তু হুজুৰে যেন সদায় বন্দীক ভৰিৰ তলত ৰাখে। হুজুৰৰ ভালেই বন্দীৰ ভাল। নপতিয়াব হুজুৰ—এই কিদিন অধীনৰ কি খাৱন শোৱন আছে! মঘাই হুজুৰৰ মৰণ ঘটায় বুলি দিননিশা বন্দীৰ ঘৰত হুজুৰৰ কুশলৰ অৰ্থে পূজা পাটল চলিছে। বৰ উগ্ৰ জীৱন্ত দেৱতা আমাৰ মঘা—হুজুৰ। কিন্তু মঘা কেতিয়া আহে জনাই থাকিবলৈ হলে সদায় হুজুৰৰ পাছে পাছে বন্দী ফুৰিব লাগিব।"

"ৰাইট—মই যলৈকে যাম তোমাক নিম।"

যেনে কথা তেনে কাম। মহৰীৰ ভাগ্য ফলিল। ছাহাবৰ পদোন্নতিৰ লগে লগে দোপতদোপে মহৰী আগুৱাই শেহত অফিচৰ হৰ্ত্তা কৰ্ত্তা হৈ পৰিল। মহৰীয়ে দহ বুলিলেই দহ পঁচিশ বুলিলেই পঁচিশ। ছাহাব পেঞ্চন লৈ দেশলৈ গল আৰু আমাৰ মহৰীয়েও অশেষ ধন দৌলতৰ গৰাকী হৈ কামৰপৰা অবসৰ ললে।

সুধিছা দেৱতাৰ চৰণত মহৰীয়ে আগবঢ়োৱা কলা পঠাৰ তেজ পৰিছিল নে নাই? কব নোৱাৰোঁ, কিন্তু এইটো সঠিককৈ জানো যে বছৰি বছৰি ছাহাবৰ চৰণত মহৰীৰ "ডালি" এতিয়াও পৰে। ছাহাব ছুহাবেই কলিৰ জাগ্ৰত—জয়াৰ দেৱতা।

আগৰ সেই মেঘনাদ মহৰী মঘা মহৰী নামেৰেই প্ৰখ্যাত হৈ পৰিল।

সৃষ্টিৰ আদিতে ছোৱালী নাছিল।

মহৰী আহি শইকীয়াক দেখি উচাপ খাই উঠিল। সুধিলে "হৈছে কি ভায়া? খৰি শুকোৱাদি শুকালা দেখোন?"

"চিন্তা জৰে দহিব লাগিছে ভায়া। ছোৱালী নহল যেনিবা মোৰ কাল হল॥ মৰতীয়ে মোৰ কালক খালে! জানাই তাই ওপজোতে মোৰ মূৰটো কেনেকৈ আচন্দ্ৰাই কৰিছিল। তাৰ ফল ভুগিবই লাগিছোঁ। তাই আমাক টিং খোপত তুলিহে এৰিব। জোৱাই বিচৰা, শ ছেৰেক ভৰা এসোপা দি বিয়া দিয়া ইমানবোৰ লেঠা। এই মহা সঙ্কটৰ দিনত মই চম্ভালো কেনেকৈ! ইফালে চাহৰ দাম টুটিল। ডিপজিটৰ সুদ হৰিল। মনি লেণ্ডাৰ্ছ বিলে টেটুত গৰকেহে লাগে!"

"অধীৰ নহবা ভায়া, অধীৰ নহবা। ছোৱালীবোৰ তোমাৰ হিতৰ কাৰণে ওপজে বুলি ভবাই ভুল। ইহঁত হল তোমাৰ দিন ডকাইত! শুনা সৃষ্টিৰ আদতে ছোৱালী নাছিল। এদিনাখন কন্ধ নামে দৈত্যৰ মহাভৈৰৱ দেৱাদিদেৱ মহাদেৱৰ ভাং ধুতুৰাৰ প্ৰতি লোভ সমুপজিল। ভাঙৰ ৰাগীত তোমাৰ ভোলানাথ টং হৈ থাকোতেই কন্ধ বোপাই হাতত সাৰে ভৰিতসাৰে ভাং ধুতুৰাৰ জোলোঙাটো আৰু তাৰ লগতে চিলিমটো সৰকালে। সময়ত সেইবোৰ বিচাৰি নাপাই ধূৰ্জ্জটিৰ দুৰ্জ্জয় খং উঠিল। নন্দী ভৃঙ্গীৰ পিঠিত মাধমাৰ পৰিল: মাৰৰ কোবত বাহন বৃষভৰ বেবনিত স্বৰ্গ-মৰ্ত্ত্য-পাতাল খলক লাগিল। হামি হিকটিত তেৰা লালকাল হল। সমশেষত যি মোৰ প্ৰাণৰ প্ৰিয় বস্তু হৰণ কৰি মোক সন্তাপ দিছে তাক সমূলঞ্চে বিনাশ কৰোঁ বুলি মহাভৈৰৱৰ বাউলৰ দৰে প্ৰলয় নাচন নাচিবলৈ ধৰিলে। কন্ধ ককায়ে প্ৰমাদ গণি আথে-বেথে ভাং ধুতুৰা চিলিম চৰণত শোধাই ত্ৰাহি ত্ৰাহি ৰৱে কাতৰি কৰিবলৈ ধৰিলে।

পিছত তুতিত সন্তোষ লভি নাকে মুখে ভাঙৰ ধোৱাঁ উলিয়াই ভোলানাথে কন্ধৰ পিঠিত চপৰিয়াই কলে—"শুন কন্ধ, ইমান বোৰ পালী প্ৰহৰীয়ে আগুৰি থকাতো মোৰ আগৰ পৰা তই কোনেও নজানাকৈ মোৰ প্ৰাণতো অধিক প্ৰিয় বস্তুক অপহৰণ কৰি যি কৃতিত্ব প্ৰকাশিলা সেইবাবে মই নথৈ সন্তোষ লভিছো। বৰ দিলোঁ—সত্য ত্ৰেতা, দ্বাপৰ কলিত তই হেজাৰ বিজাৰ কন্যাৰূপে ওপজি মোৰ অংশ সম্ভূত পুৰুষৰ প্ৰাণস্বৰূপ ধন-সোণ অপ্ৰয়াসে হৰণ কৰিবি।" দেখিলা ভাঙৰ ৰাগীত বিভোৰ হৈ এই

অহৌ বলিয়াটোৱে কি কাণ্ডখনকেই নকৰিলে। এবাৰো ভাবি নাচালে বৰৰ ফল কি বিষময় হব। বাৰু হোৱা কথা হৈ গল।—এতিয়া তোমাৰ বাজেটত বিয়াৰ 'আইটেমত' কিমান টকা মঞ্জুৰ হৈছে?"

দীঘল হুমুনিয়াহ পেলাই শইকীয়াই কলে—"সেইবিষয়ে ভাবিলেই মোৰ মূৰৰ চুলি থিয় হয় গাৰ নোম ভৰৰি উঠে। এটা উপায় বিহা।"

"বিষম সমস্যা" বুলি মহৰীয়ে চকু মুদিলে। কপালৰ গাঁথি তেওঁৰ থুপ খালে। শেহত সমুখত থকা মেজত অনাহকতে এটা ভুকু শোধাই কলে "চিন্তা নকৰিবা ভায়া, দেৰশত গ্ৰেজুৱেট দৰা হাজিৰ কৰিম।"

"দেৰ শ? নগদ মবলগে তোমাৰ সাতকুৰি দহ? ওৱান হান্দ্ৰেদ এণ্ড ফিফটি! উঃ মৰতীয়ে মোৰ মঙ্গহ চপৰাচপৰে খাই হে এৰিব। দহোকুৰি ভায়া—আৰু কমোৱা আৰু কমোৱা। মোক গ্ৰেজুৱেট ফ্ৰেজুৱেট নালাগে। কোনো মতে পাৰ কৰা। পিছত তাইৰ ভাগ্যত যি হয় হব। বাপৰ ভাগ্যে জানো ছোৱালীক আটে?—"

"বাৰু কি কৰিব পাৰোঁ চাওঁ। তোমাৰ বাগিচাৰ মহৰী কেৰাণীৰ তলৰ কিমান কাটিছা?"

"টুৱানটি পাৰ্চেণ্ট।"

"এতিয়াৰপৰা আৰু ফাইভ কাটা। তাৰেই কিছু খৰচ উলিৱা হক। সম্প্ৰতি মোৰ হাতত কুৰি টকি মান দিয়া।"

"একুৰি? দহ টকা মানে নহবনে? বাৰু বহা। চাহ খাই যোৱা। ফিকা চাহ বুজিছ। আজি কালি গাখীৰৰ দাম দেখি পেটতে হাত ভৰি লুকায়। চাহৰ গাখীৰ বেচে সেৰে ছপয়চাকৈ! নাই এই গোৱালবোৰে বগাপানী এটোপা বেচি ঘৰ একেবাৰেই বগা কৰিব খুজিছে! গাত সিহঁতৰ বগা ওলাবহে। তোমাৰ গান্ধীয়ে কিন্তু আমাৰ নিচিনা দুখীয়াৰ দুখ বুজে। চেনিৰ সলনি গুৰত ধৰিছোঁ।"

মহৰীৰ চাহ খোৱা হল নে নাই কব নোৱাৰোঁ কিন্তু কোনোপধ্যে শইকীয়াৰ পৰা বাৰ টকা সৰকাই মহৰী ঘৰলৈ উলটিল।

সেৱাৰ সম্পাদক লাগে

সাদিনৰ মূৰত মঘা মহৰী শইকীয়াৰ আগত সোঁ শৰীৰে হাজিৰ হৈ বাতৰিৰ জাননীলৈ আঙুলিয়াই কলে পঢ়া।

শইকীয়াই পঢ়িলে—

বিশাল, বিপুল, বিৰাট কাণ্ড!

নিবনুৱা-সমস্যা-সমাধান !!

সাহিত্যসেৱীৰ সোণালী সুযোগ !!!

"সেৱা" নামক মাহেকীয় কাকতৰ কাৰণে গল্প আৰু কবিতাত পৈনত এজন সুদক্ষ গেজুয়েট সম্পাদক লাগে। দৰমহা মাহে এশৰ পৰা দুশলৈকে। সোনকালে প্ৰশংসা পত্ৰসহ তলত দিয়া ঠিকনালৈ আবেদন কৰক কায়স্থ কৰিব বিশেষ সুবিধা আছে।

"এম"

—"বাতৰি"—সম্পাদক,

শইকীয়াৰ চকু থিৰ পৰিল। সেপ ঢুকি হুমুনিয়াহ কাঢ়ি কলে—এইবোৰ কি অনাসৃষ্টি কৰিব খুজিছাহে, ছোৱালী ঘৰতে থুপৰী লাগক। শৰ পৰা দুশলৈকে দৰমহা দি লোকৰ পেট ভৰাবও নোৱাৰো সাহিত্য ফাহিত্যও কৰিব নোৱাৰোঁ।

মহৰীয়ে প্ৰবোধ দি কলে "অসমীয়া কাকত উলিয়াই তোমাক দেৱলীয় কৰিবৰ দুৰ্ব্বুদ্ধি মোৰ নাই। চাই থাকা মাছৰ তেলেৰেই মাছ ভাঁজা কেনেকৈ? সম্পাদক ভায়াক এমাহ খুৱাম চেপি চেপি গল্প কবিতা পাৰে মানে উলিয়াম। ছোৱালী বিয়া দিম। পিছত লেখা বোৰৰ কপি ৰাইট বেচি তোমাৰ পেট'ৰিত নগদ মবলগে দেৰশ দুশ চিকা ৰূপ ভৰাম। গল্প কবিতা লেখকৰ দৰে ভেবা ভোদা জৰদগৰ জগতত কোনো নাই। তুমি ইবোৰ সিবোৰ নাপাতিবা। কথা হৈছে কোন ধুৰন্ধৰে এই টোপ গিলে। গিলিব যে ঠিকেই, এবাৰ বিয়াৰ বৰশীত আঁকোৰা হল কোৱাৰিত লাগিলে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰো তাগজ নাই সাৰিবৰ।"

নামে মাৰেও, নামে তাৰেও

লক্ষ্মী কান্তই বি-এ, পাছ কৰি বছৰে বছৰে কামৰ কাৰণে কমিটীৰ আগত উপস্থিত হৈছিল। পঢ়িছিল বেচেৰাই লৰা শিক্ষাৰ সেই কথাষাৰি সদায় মনত ৰাখি—

লেখা পঢ়া কৰে যেই
গাড়ী ঘোঁৰা চৰে সেই,

লেখা পঢ়া কৰিলে হয়, কিন্তু গাৰী বা ঘোঁৰাত, উঠাৰ সৌভাগ্য তেওঁৰ নঘটিল। বেকিং নাই, কমিটিয়ে নাক কোঁচায়। তাৰ অৱশ্যে কাৰণ আছিল। নামে মানুহক যেনেকৈ তাৰে তেনেকৈ বোলে মাৰেও।

কোন কুক্ষণত মাক বাপেক আৰু শ্ৰুতিকৰদেৱে তেওঁৰ নাম লক্ষ্মী কান্ত ৰাখিছিল কব নোৱাৰোঁ। কিন্তু লক্ষ্মী কান্তই এতিয়ালৈকে এদিনো লক্ষ্মীৰ মুখ দেখিবলৈ নাপালে। লক্ষ্মী কান্ত নাম লৈ লক্ষ্মীকান্তই লক্ষ্মীৰ প্ৰতি চালুকীয়া অৱস্থাৰ পৰাই যি অৱজ্ঞা দেখাই সৰস্বতীৰ প্ৰিয় হবৰ চেষ্টা কৰিছিল তাৰ ফল লক্ষ্মীকান্তই নুভূগিলে ভূগিব কোনে? শুনা কথা লক্ষ্মী আৰু সৰস্বতীৰ সম্বন্ধটি বোলে মধুৰ নহয়। ভাৰতীৰ কৃপা কটাক্ষত শিক্ষাত আগুৱালে হয় কিন্তু লক্ষ্মীৰ ৰোষত বপুৰা জৰ্জ্জৰিত হৈ গালে মুখে হাত দি ঘুমনি লাগিল। শেহত উপায় নাপাই লক্ষ্মীকান্তই মনৰ বেজাৰ পাতলাবৰ কাৰণে আউলি বাউলি হোৱা দীঘল চুলিৰ বাবুলি কাটি বুৰিয়ে বুৰিয়ে প্ৰেমৰ কবিতা আৰু কুৰিয়ে কুৰিয়ে গল্প বতিয়াবলৈ ধৰিলে। কাব্য কথাই পেট নভৰায় কিন্তু উপায় নাই

এনে অৱস্থাত বাতৰিৰ পাতত ডাঙৰ আখেৰেৰে জিলিকা মঘা মহৰীৰ জাননী তেওঁৰ চকুত পৰিল।

অসমতো সাহিত্য সেৱীৰ আদৰ আছে। সাহিত্য প্ৰাণ 'এম' অৰ প্ৰতি ভক্তিত লক্ষ্মীকান্তৰ মূৰ আপোনা আপুনি দোঁ খাই গল। সেৱা কাকতৰ সম্পাদক! মাটি বালিৰ কুন্দচ কঠুৱা সংসাৰ আৰু কোমল কল্প লোকৰ ব্যৱধানৰ দুৰ্জ্জয় প্ৰাচীৰ লক্ষ্মীকান্তৰ চকুৰ পঁচাৰতে অদৃশ্য হৈ গল। আগন্তুক সোণালী সুযোগত আৰু 'সেৱা'ৰ পৰিকল্পনাৰ বিচিত্ৰতাত লক্ষ্মীকান্তৰ কবি প্ৰাণ ৰয়লাসে নাচি উঠিল।

"ফুল মেনি এ জেম"

কেই দিনমানৰ পাছৰ কথা।

মঘা মহৰীয়ে বাতৰি সম্পাদকৰপৰা এটোপোলা কাকত পাই পোনছাটেই শইকীয়াৰ ঘৰ ওলালগৈ। কলে "দেখিলা এতিয়া নকৈছিলোঁ মোৰ গেজুয়েট বান্ধৈহত মেৰপাকত সোমাবই বুলি। কেইদিন হৈছে জাননী মেলা ইয়াৰ ভিতৰতে এইবোৰ। এতিয়া নাৰায়ণং নমস্কৃত্যং কৰি এই বোৰ বছা হক। এওঁ হল তোমাৰ দেৰগাওঁৰ শ্ৰীমৎ চক্ৰপাণি চতুৰ্ব্বেদী বি-এ, সাহিত্য সব্যসাচী। সব্য সাচী কোন হে—অৰ্জ্জুন? হে হে হে উপাধিৰ অৰ্থ বোধ কৰাই কঠিন। বামুণৰ লৰা চতুৰ্ব্বেদী। সাম, যজু, অথৰ্ব্ব, আৰু কি হে। কি কৈছা খৰ্ব্ব। ঠিক। বেদৰ গুণ গান কৰি দিন কটাওক পাৰে যদি সব্য সাচীদেৱে আন ঠাইত লক্ষ্য ভেদ কৰি ভাষা যাজ্ঞসেনী লাভ কৰক। মঘা মহৰীৰ তথা আমাৰ শইকীয়াৰ ঘৰৰ সীমাত গাণ্ডীবৰ টঙ্কাৰ। অসম্ভব। ফল মাৰ্কা কি বোলা। গুড বাই। সেইখন কাৰ?

নলবাৰীৰ শ্ৰীযুক্ত দৈত্য নাৰায়ণ তালুকদাৰ এম-এ সাহিত্য-শিৱাজী।

দৈত্য নাৰায়ণ, সাহিত্য-শিৱাজী—বাপৰে! তালুকদাৰ বাবাজীৰ তালুকে পেট ভৰোৱা নাই দেখিছোঁ! এওঁ বৃহৎ ভাব ৰাজ্যৰ দুৰ্ভেদ্য দুৰ্গ দখল কৰক গৈ। এলা-বেছা লোক এখেত নিশ্চয় নহয়। মঘা আউৰেংজেৰেও এই কামৰূপ কেশৰীক বন্দী কৰা কঠিন। এওঁৰ আবেদন ছামাৰেলি ৰিজেক্‌টেড।

তৌবা, তৌবা—ডাঢ়িয়ে গোফে ভোবোকাৰ এওঁ আহিল মৌলবী মহম্মদ কবিৰ উদ্দিন খণ্ডকাৰ সাহিত্য খায়াম। আছলাম আলামকুম মৌলবী ছাহেব! পিছে পোন ছাটেই ইৰাণলৈ গতি কৰক। 'সেৱা' কাকতৰ পূজাৰী পাতি সেৱা পণ্ড কৰিবলৈ আমাৰ নিকপকপীয়া হিন্দুৰ চিতে নিদিব। বিদায় বন্ধু!—বিদায় খায়াম।

জানো তোমাৰ বিৰহে মোৰ অন্তৰ দহিব। বেজাৰত জ্যাকাত দিম—সাদিনলৈ ভিটামিনভৰা সিবিধৰ ৰসৰ মদিৰা চুহিম।

এওঁ আহিছে তোমাৰ দিগবৈৰ ননীগোপাল শ্ৰুতিকৰ বি-এছ-চি। ভাষাৰ উপাধিত উকা! আজিৰ দিনতো শ্ৰুতি স্মৃতি মেলি দুপইচা ৰোজকাৰ কৰিব নোৱাৰি শ্ৰুতিকৰ বোপাই সম্পাদক হবলৈ হামৰাও কঢ়াত বুজিছো বেচেৰা জৰগদৱ। বেয়া নাছিল—কিন্তু ব্ৰাহ্মণ-তনয়। সুতৰাং ননীগোপালে ঘৰতেই ননী চুহি থাওক।

আৰু নো কিমান চাম হে। এ হৰি ভাষা-ভীষ্ম, গদ্য-গদাধৰ, কবিতা কোঁৱৰ, কথাসাগৰ এই সকল আছিল ইমান দিন কত লুকাই! 'ফুল মেলি এ জেম'—।

এই বোজা প্ৰশংসাপত্ৰেৰে এওঁ আহিছে কোন? ডিবৰুৰ উদীয়মান তৰুণ সাহিত্যিক লক্ষ্মীকান্ত কাকতী বি-এ। শিয়ালেখোৱা সাহিত্য সভাৰপৰা মোৰ কুটুমে সাহিত্যসাগৰ উপাধিও লভিছে। নিতান্তই নিৰীহ ভদ্ৰলোক—লক্ষ্মীকান্ত নাম লৈও 'লক্ষ্মীছাৰা' কায়স্থ নন্দন। এই প্ৰশংসাপত্ৰবোৰ জাল নহয় তো? শুনা ভায়া বেজবৰুৱাই বোলে লিখিছে 'লক্ষ্মীকান্ত অসমীয়া গল্প সাহিত্যৰ মোপাছাঁ।' মো-পা-ছাঁ! কি বস্তু হে? হৰি বোল। বিহগী কবি চৌধুৰীদেৱে বোলে কৈছে 'আপোন পাহৰা সুদৰ্শন কান্ত কবিৰ কবিতাৱলী সাহিত্য কুঞ্জৰ কোকিল কাকলি।' অধ্যাপক কাকতীয়ে বোলে এওঁৰ কবিতাৰ পাতনি লিখিবলৈ যো যা কৰিছেই। কৰিব—কাকতীয়ে কাকতীক নাচালে কাকতীৰ তাৱৰ নামাৰিলে চাব মাৰিব কোনে! তৰুণ, সুদৰ্শন আপোন পাহৰা! বুজিছা ভায়া—এই সাহিত্য সাগৰ বোপাটিকে বিয়া-সেৱা মন্দাৰেৰে মন্থন কৰিব লাগিব। আজিয়েই লিখি মাতি পঠাওঁ। পিছে এটা কথা শইকীয়া, তোমাক কান্ত কবিৰ আগত এজন নীৰৱ কবি, লেখক পাতি মই দেখুৱাব লাগিব।"

"মোক কবি কৰিবা? লেখক সজাবা? এনে দুৰ্ব্বুদ্ধি যেন তোমাৰ জন্ম জন্মান্তৰেও নহয়! তোমাৰ সাহিত্য তাহিত্যৰ বীজাণু এটিও এই প্ৰকাণ্ড কলেৱৰ ক্ষত বিক্ষত কৰিলেও বিচাৰি নাপাবা।"

"এই বিষয়ে মোৰ আধানো সন্দেহ নাই। আমিও তথৈয়চ। বুঢ়া শালিকাই মাত নলয় বুলি মই নজনা নহওঁ। কথা হৈছে সাহিত্য সাগৰ সম্পাদকৰ আগত "সেৱা" কাকতৰ প্ৰতিষ্ঠাতাৰ মুখত এষাৰ দুষাৰ সাহিত্যৰ কথা নোলালে কথাৰ খেও খাব কেনেকৈ? শুনা বেজবৰুৱাৰ নাম শুনিছা নহয়। ভাল লেখে বোলে ঘনাই ঘনাই বোপাৰ আগত বেজবৰুৱাৰ নাম লবা। গোঁসাই, চৌধুৰী, বৰদলৈ গোহাঁই বৰুৱা, আগৰৱালা ৰাজখোৱাৰ কথা কবা। ধোৱাখোৱাৰ নলীত হোপা দি নাকে মুখে ধোৱা উলিয়াই 'আইত্য কৰিব লাগে—আইত্য কৰিব লাগে' বুলি সেহাবা। বছ, সিফালে মই আগুৰিম। তোমাকো মই ভাষাৰ ভীম উপাধিৰে ভব্য গব্য লেখক কৰিম। হি-হি-হিঃ।—আঃ মৰা মূৰত কামোৰণি উঠিলেই। শৰীৰ পৰি অহাৰ লগে লগে বল শক্তিও হৰি আহিছে। চাহ টাহ এটুপি পাম জানো?" মহৰীয়ে কপালত হাত বোলাবলৈ ধৰিলে।

"পাবা ভায়া পাবা। এটা কথাহে বুজিছা। আমি অনাহকতে চাহ পানীত গাখীৰ গুৰ সানি চাহৰ ভিটামিন নষ্ট কৰোঁ। মোৰ মতৰ লগত গান্দীৰ মতৰো বজিতা খাইছে। ঘৰত কালিৰেপৰা কেৱল ফিকা চাহ চলাইছোঁ।"

—সাহিত্যে বঢ়ায় সাহ—

প্ৰাণত বিপুল আশা আকাঙ্ক্ষা লৈ লক্ষ্মীকান্তই সেৱা কাকতৰ সম্পাদক স্বৰূপে ভাষা জননীৰ চৰণত সেৱা জনাবলৈ মঘা মহৰীৰ নিৰ্দ্দেশ মতে মহৰীৰ ঘৰত উপস্থিত হলহি। ভাব সাগৰত বুৰি থকা এই সুদৰ্শন কবিৰ মুখলৈ অলপপৰ চাই আথেবেথে বহিবলৈ দি মহৰীয়ে মুখ মেলিলে—

"বহা বোপা, বহা। হেজাৰ বিজাৰ আবেদন নিবেদন অগ্ৰাহ্য কৰি তোমাক মনোনীত কৰিছোঁ তেজ ধুলে উটে কিন্তু মঙ্গহ ধুলে নুটে। হেজাৰো হ'ক কায়স্থৰ লৰা। আমাৰ আৰু আমাৰ শইকীয়াৰ জ্ঞাতি ভাই।

প্ৰাণৰ টান আছে! কুলে কুলৰ নিমিত্তে কান্দিবই। শইকীয়াৰ অগাধ টকা বোপা। কুবেৰৰ ভৰাঁল নিজৰ ঘৰতেই বুলি ধৰাচোন। সাহিত্য সেৱাৰ কাৰণে নপতিয়াবা বোপা সত্তৰি হেজাৰ টকা উইল কৰি থৈছে। এনেজন নীৰৱ কৰ্ম্মীপুৰুষ-সাহিত্যপ্ৰাণ ভূ ভাৰতত নহব নুপজিব। দহে দহ কথা তেওঁৰ বিষয়ে অৱশ্যে ৰটে। পৰশ্ৰীকাতৰ খাবলৈ নোপোৱা কেল্লানীয়াইঁতে ডাঙৰ লোকৰ কিবা বোলেনে হেৰি কামোৰে! দুদিনতে বুজিবা বোপা কবি মানুহ তুমি বুজিবাই শইকীয়াৰ বাহিৰৰ আচৰণ আৱৰণৰ ভিতৰত কি অনুপম মৌকোঁহ আছে! অন্তৰখন কৰুণাৰ প্ৰকাণ্ড মহাসাগৰকে বোলাচোন। আজি কালিৰ দিনত কাকত উলিয়াই এহেজাৰ দুহেজাৰ নহয় সাত হেজাৰ বোপা নগদ তোমাৰ সাত হেজাৰ চিকাৰূপ পানীত পেলাবলৈ কেইজন দানবীৰ, সাহিত্যবীৰ ওলাব? সত্তৰ হেজাৰ কিমান—তিনিকুৰি দহ হেজাৰ। দুখীয়া সাহিত্যিকৰ কাৰণে উইলত লিখি যোৱা পুৰুষ কেইজন আছে? পিছে বোপা, ঘৰত তোমাৰ আছে কোন?"

"মাতৃৰ বাহিৰে আপোন বুলিবলৈ এই জগত সংসাৰত মোৰ কোনো নাই।"

"আহা-হা বোপাৰ কথায়েই কবিতা। হ'ক হ'ক। কথাৰ ঠাচতেই বুজিছোঁ এতিয়াও বোপাৰ ঘৰ গৃহস্থী হোৱা নাই। দেহি! বি-এত বোপাই কি পঢ়িছিলা? কি কলা? বিশেষকৈ সাহিত্য আৰু দৰ্শন? সাৰ বস্তুকেই বোপাই ধৰিছিলা। সাহিত্য আৰু দৰ্শনৰ বাহিৰে প্ৰাণৰ হেপাহ কোনেও পূৰাব নোৱাৰে। মই কলেজৰ লৰা পালেই সেইবোৰ পঢ়িবলৈ দঢ়াই দঢ়াই কওঁ বোপা। আমাৰ শইকীয়াই শুনিলে বৰ সন্তোষ পাব। তাহানিখনেই তেওঁৰ এটা কবিতাত পঢ়া মোৰ মনত পৰিছে—

'সাহিত্যে বঢ়ায় সাহ দৰ্শনে দৰ্শন।
পয়াৰে পইছা কৰে ভাব অগনন।'

ভাবৰ আৱেশত কবিয়ে চকু মুদিলে।

সাহিত্য সম্বাদ

সেইদিনাই আবেলি লক্ষ্মীকান্তক লগত লৈ মহৰী শইকীয়াৰ ঘৰত ওলালগৈ। শইকীয়াই চকুযোৰ নাকত পিন্ধি গম্ভীৰ হৈ আগৰ পৰা ভৰিলৈকে লক্ষ্মীকান্তক চাই মহৰীৰ ফালে মুখ ঘূৰালে। মহৰীয়ে কলে—"তোমাৰ 'সেৱা' কাকতৰ সম্পাদক কান্ত কবি, সাহিত্য সাগৰ। হু—এজন লেখৰ লেখক বৰ বঢ়িয়া লেখে দিয়া। অলপতে কাকতত কি লিখিছিলা? আঃ চৰখোৱা মনে আটাইবোৰ পাহৰে!"

সসম্ভ্ৰমে লক্ষ্মীকান্তই সুধিলে কোন কাকতত? "আৱাহনত"? শইকীয়াই টপৰাই মাত দিলে "অৰুণোদয়ত"

শইকীয়াৰ ফালে চাই চকু টিপিয়াই মহৰীয়ে কলে "আমাৰ শইকীয়াই সদায় 'অৰুণোদয়ৰে' সপোন দেখে। কবি মানুহৰ কথা আমাৰ নিচিনা অকবিয়ে গদ্যময় মনিছে বুজিবই নোৱাৰোঁ। কি কাৰণে কব নোৱাৰোঁ বুজিছা বোপা শইকীয়াই সদায় মাহিলী বোলা সাদিনীয়া বোলা সকলো কাকতকে 'অৰুণোদয়' বুলিহে ভাল পায়। এখেত 'অৰুণোদয়' যুগৰে নীৰৱ লেখক বোপা। নপতিয়াবা এওঁ লেখা গল্প উপন্যাস কবিতাৰ পুথি এবুৰিব কম নহব। কাকো নেদেখুৱায়। মনে মনে লেখে আৰু লেখে। তোমালোক কবি মানুহে অৱশ্যে এইবোৰ গুণকেই বুলিবা নীৰৱ সাহিত্য সাধক! মই কিন্তু এই লুকফুকখন ভাল নেদেখো। নিজে লেখি নিজে আনন্দ লভাতকৈ দহজনৰ মাজত আনন্দ বিতৰণ কৰা ভাল।"

নীৰৱ সাহিত্য সাধক শইকীয়াৰ প্ৰতি ভক্তিত কান্ত কবিৰ মূৰ আপোনা আপুনি দোঁ খাই গল।

মহৰীয়ে মুখ মেলিলে—"অ, পিছে?" 'আৱাহন'ত লক্ষ্মীয়ে বিনয় প্ৰকাশি কলে "যোৱা সংখ্যাত মোৰ 'অশ্ৰু বিলাপ' নামক কবিতা আৰু 'সপোন কোঁৱৰ' নামেৰে ৰূপক গল্প প্ৰকাশ পাইছে।"

"ঠিক, এই 'অশ্ৰুবিলাপ' কবিতা পঢ়ি আমাৰ শইকীয়াৰ কবি-প্ৰাণ "গুমৰি" উঠিছিল! তোমাৰ 'সপোন কোঁৱৰে' শইকীয়াৰ ভোক-পিয়াহ হৰিছিল। ভাবো এইবোৰ

লেখা কেনেকৈ? শইকীয়াক সুধিলে শইকীয়াই মাথোঁ মিচিকিয়ায়! অশ্ৰু বিলাপৰ প্ৰথম শাৰীত কি আছিল! ছেঃ এনেকৈ পাহৰা ধানৰ ভাত খালে আমাৰ ফালে আৰু হৈছে।" অনুশোচনাত নিজৰ টকলা মূৰত মহৰীয়ে হাত দিলে।

সেপ ঢুকি লক্ষ্মীকান্তই গালে—

"ফুলৰ পাহিত নিয়ৰৰ টোপা দেখিছা বন্ধু?—দুনাইচোৱা বিৰহী প্ৰাণৰ বেদনা অশ্ৰু বিনাই বিলপি বাগৰিবোৱা।" মহৰীয়ে কবিতাৰ তাল ৰাখিছিল ভৰিৰে। কলে—"আহা-হা কি ভাব! কি হনু প্ৰাস। হৈছে আৰু বোপা, নহলে শইকীয়াই সমাধি লভিব।"

শইকীয়াই চকু মুদি কলে—"কবিতাত কবিতা আছে। সাহিত্য সকলোৱেই কৰিব লাগে। সাহিত্য কৰাটো মানুহৰ ধৰ্ম্ম। বেজবৰুৱাৰ লেখাত বৰ বাহাদুৰি আছে। শৰৎ গোসাঁইৰ কবিতাই, আনন্দ আগৰৱালা আৰু ৰঘু চৌধুৰীৰ গল্পই—"

মহৰীয়ে কবিৰ মুখলৈ চাই হাঁহি হাঁহি কলে "নকৈছোঁ বোলো শইকীয়াৰ কথাবোৰ সাঁথৰ! আগৰৱালা—চৌধুৰীৰ কবিতাত গল্পৰ আৰু গোসাঁইৰ গল্পত কবিতাৰ উহ কেনেকৈ উলিয়াইছে দেখিলা?—বোপা আজি গুপুততে তোমাক এষাৰি কথা কওঁ শইকীয়াই তেহেলৈ মোক মাৰেও মাৰক কাটেও কাটক! তোমাৰ অসমীয়া লেখকৰ ভিতৰত এতিয়া যি কেইজন জিলিকিছে এটাই কিজনৰ সাহিত্য চৰ্চ্চাৰ গুৰিতে তোমাৰ এই শইকীয়া। দেৰ কুৰি-দুকুৰি বছৰৰ আগৰ কথা। তেখেত সকল তেতিয়া চফল কলেজীয়া ডেকা। কলিকতাত কিবা পঢ়ে আৰু ঘৰৰ ধন পাচিয়ে পাচিয়ে হৰণ কৰে। শইকীয়াই উন্নত ধৰণেৰে চাহৰ ব্যৱসায় চলাবলৈ মন কৰি কলিকতাত হাজিৰ হৈ দেখে যে এটাই কেউজন পাশাখেলত তন্ময়। ভেকহি মাৰি শইকীয়াই কলে—'এই দৰে অমূল্য ধন সময় অবাবতে কটোৱা শিক্ষিত যুৱকৰ উচিত নহয়।' সকলোটিয়ে ভেবা লাগি শইকীয়াৰ মুখলৈ চালে। নপতিয়াবা কবি, নগদ দেৰ হেজাৰ মোনাৰপৰা উলিয়াই তেওঁলোকৰ হাতত আমাৰ শইকীয়াই গুজি দি কলে—"সাহিত্যকৰা—জোনাকী বিজুলী উলিয়াই দেশৰ আৰু দহৰ উপকাৰ সাধা।" এতিয়া এইবোৰ কথা কৈ শইকীয়াই নিজৰ যশস্যাৰ বৰঢোল নোকোবায়।—লাজকুৰীয়া লোক! কিন্তু সময়ত সকলো ওলাব! কৃপাবৰৰ নাম শুনিছা? সেই পেটালক বৰবৰুৱা পাতিলে কোনে জানা? কৃপাৰ গোঁফ আমাৰ শইকীয়াই উকটিব পাৰে বুজিছা। এদিন বেকত হবই! জুইক ঢাকি কোনে কেইদিন ৰাখিব পাৰে? পিছে এতিয়া আচল কথালৈ আহোঁ। অকলশৰীয়া মানুহ কেইডোখৰ হম!—নামানে। হ'ক, হ'ক, ভাষাৰ তেও উন্নতি হ'ক। কি বোলা? বোপাক মাহে সম্প্ৰতি সামান্য এশ টকাত সম্পাদক নিযুক্ত কৰা হল—আজিৰ পৰাই! উন্নতি আছে। এতিয়া অন্ততঃ দুমাহ তিনিমাহৰ জোখাৰে গল্প, কবিতা লাগিব। সেইবোৰ সমল হাতত লৈ কলিকতাৰ প্ৰেছত ৰমক জমককৈ 'সেৱা' ছপাব লাগিব। পিছে বোপা মাহে তুমি নিজে কিমান কবিতা, গল্পৰ যোগান দিব পাৰিবা?

তললৈ মূৰ কৰি কবিয়ে কলে—"কমকৈও দেৰকুৰি কবিতা, একুৰি গল্প।"

"ভাল,ভাল—তোমাক নো আৰু কি কম। পাৰা যদি আৰু উলিয়াবা।—পাৰিবাই।—সাহিত্য সাধনাৰ ওপৰ খাপলৈ তুমি উঠিছা বোপা।"

যাবৰ সময়ত মহৰীয়ে শইকীয়াক ফুচফুচাই কৈ গল—বুজিছা ভায়া কবিৰ আগত পাৰামানে তুমি মুখ নেমেলিবা মুখত সাহিত্য ওলাই পৰিব চাবা। কবিৰ খোৱা বোৱাৰ বিষয়ে আইটীৰ মাকক চকু দিবলৈ কবা। "তিৰোতা আৰু সোঁচৰা ব্যাধি একেই।" হাতৰ মুঠি দুদিন মানলৈ অলপ মেলিবা।"

'ফিকা চাহ খোৱা হলেও যেনতেন।'

পষেকৰ পিছৰ কথা।

শইকীয়াই হুমুনিয়াহ কাঢ়ি মুখ আমোলাই মহৰীক কলে—"তোমাৰ কান্ত কবিয়ে লেখাৰে মোৰ মেজ ওপচাইছে! লগে লগে ভাত চাহৰ শ্ৰাদ্ধ হৈছে। দিনটোত বুজিছা এবাৰ নহয় দুবাৰ নহয় পাঁচ বাৰকৈ

কবিক চাহকেই লাগে! ফিকা চাহ খোৱা হলেও যেন তেন! তোমাৰ শইকীয়ানীয়ে জুতি লগাই আটোম টোকাৰিকৈ খুৱাইছে হে খুৱাইছে। ফলত বা কি ফুটুকাৰ ফেনসোপা উঠে!—হিচাপ কৰি চোৱা কমেও দিনে একাধলি উৰিছে।

মহৰীয়ে প্ৰবোধ দি কলে—"দুৰ্ব্বাৰ তপস্যা—কোটি জন্মৰ সাধনাত ভাগ্যত জোঁৱাই মিলে!—দুদিন অপেক্ষা কৰা। কান্ত কবিৰ সকলো অঙ্গত কবিতাৰ পোকে পিল পিলাইছে। মহৰীৰ পাকত পাক ঘুৰণি নাখাই নোৱাৰে। দিয়া কবিয়ে লিখি দমোৱা গদ্য পদ্য বোৰ মোক দিয়া। আজিয়েই হেস্তনেস্ত এটা কৰিব লাগিব।"

টোপোলা লৈ মহৰী ওলাল। ৰাতিলৈ তেওঁৰ ঘৰত খাবলৈ কবিক নিমন্ত্ৰণ জনাই গল।

"আবেগৰ—বন্দী কবি"—

ৰাতি আথেবেথে মহৰীয়ে কবিক খুৱাই বোৱাই বহিবলৈ দি ভিতৰত সোমাল আৰু ক্ষন্তেকৰ পিছতে হাতত কবিয়ে লিখা কাকতৰ টোপোলা লৈ মুখ বিদৰাই গোফঁ কপাই কলে—"এইবোৰ কি কাণ্ড বোপা? তুমি কবি লেখক, বি-এ, সাহিত্য সাগৰ। কিন্তু এনেকৈ চুকতে থাকি শইকীয়াৰ বুকত কামোৰ বহাব নালাগিছিল। আলচুলকৈ কি কৰিবলৈ পাঙিছা? ভাল নহয় দেই।"

লক্ষ্মীকান্তই ভেবা লাগি মহৰীৰ মুখলৈ চালে। "কবিতা ৰচা, গল্প লেখা, সাহিত্য কৰা আমাৰ আপত্তি নাই। হবই পায়—শইকীয়াৰ এনেখন হবই পায়। সাহিত্য-সাহিত্য কৰি বাউল। মই তেতিয়াই নকৈছিলোঁ সেৱা-ফেৱা উলিয়াই দেৰশ-দুশ দি কবি-টবি পোহা ভাল নহয় বুলি! নুশুনিলে—এতিয়া হিয়া-ঢাকুৰিলে চকু-লো টুকিলে হব কি? কৰ্ম্মফল-কৰ্ম্মফল! অস্ অস্—এনে হব বুলি মই অৱশ্যে সপোনতো ভবা আছিলোঁ।—"

মহৰীয়ে মূৰত হাত দিলে। কবিৰ চকুত আতঙ্ক ফুটি উঠিল। সেপ ঢুকি কলে "মই একো বুজিবই পৰা নাই অনুগ্ৰহ কৰি।—"

খং দেখুৱাই মহৰীয়ে মাত দিলে "অনুগ্ৰহ নিগ্ৰহৰ কথা নহয় কবি। কবি মানুহ তুমি গতিকে বুজিবা কেনেকৈ বুজো মাথো আমাৰ নিচিনা গো মুৰ্খবোৰে। এস শইকীয়ানীৰ সিফালে বুকুভঙ্গা বিননিত পানীতো হাঁহ নচৰা হৈছে। তেওঁৰ কুঁৱৰী-জঁকে ঘৰৰ ঘৰ-ৱাহিৰে পেটৰ ভোক চকুৰ টোপনি হৰিছে। কৰক সাহিত্য কৰক। আমাৰ কি কবিতা, কবিতা লিখে সকলোৱে। কিন্তু তুমি এনেকৈ শইকীয়াৰ গাভৰু ছোৱালী লৈ খেলখন পতা ভাল হোৱা নাই, কলোঁ। মান সম্ভ্ৰম সকলোৰে আছে।"

কবিৰ মুখখন শেতা হল। কলে অভাবনীয় অচিন্তনীয় কথা। অন্যায় দোষাৰোপ।

মহৰীৰ মুখত বিদ্ৰূপৰ হাঁহি। কলে "অন্যায় দোষাৰোপ। আমাৰ এফেৰি অন্যায় অৱশ্যে হৈছে। কাণ জপাই চকু মুদি নথকাত আমাৰেই দোষ। দোষভাগী জীৱক ক্ষমা কৰিবা কবি। ছোৱালীৰ গতি সিফালে যিয়েই নহওক তোমাৰ নিলাজ কল্পনাৰ গতি ৰোধ কৰা আমাৰ উচিত হোৱা নাই। এইবোৰ লিখিছা কি? কালৈ?"

মহৰীয়ে লক্ষ্মী কান্তৰ 'কবি প্ৰিয়া' কবিতাটি পঢ়িবলৈ ধৰিলে—

'আজি মোৰ যৌৱনৰ নিকুঞ্জ বনত
নাচিছে ফাগুন
তোমাৰ পৰশ মাগি প্ৰভা বসন্তৰ,
—প্ৰেয়সী আপোন।'

শুনা কবি, তোমাৰ যৌৱন কুঞ্জত ফাগুন নচাত মোৰ অলপো আপত্তি নাই। যুৱক কবিৰ প্ৰেমিক কবিৰ বুকুৰ বনত ফাগুনে নাহাঁহিলে নাচিব হাঁহিব কোনে? কিন্তু কবি তোমাৰ প্ৰেয়সী প্ৰভাৰ পৰশৰ মগনিয়াৰ হোৱাটো নিতান্তই তোমাৰ পক্ষে অশোভন হৈছে। শইকীয়াৰ জীয়েক প্ৰভা আইদেওক বিয়া কৰিবলৈ হাকিম উকীল হামৰাও কৰি ফুৰিছে। নুফুৰিবই বা কিয়! এনে ছোৱালী আছেই বা কেইজনী? ৰূপকেই চাবা নে গুণকেই কৰা। গানে বাজনাই লেখাই

পঢ়াই তমস্কাৰ হাতত কুলা পদুমৰ লক্ষণেৰে লখিমী ছোৱালিটি। তুমি স্বীকাৰ কৰিবলৈ বাধ্য কৰি তোমাৰ এই কদৰ্য্য লেখাৰ পৰিনাম বৰ ভীষণ বুলি। ছোৱালী দেখিলা বুলিয়েই এনে অপকৰ্ম্ম কৰিব পোৱানে। ছোৱালীৰ গাতো কিৱা ৰণ জেউতি উঠিছে। তোমাৰ নাম শুনিলেই নাচি উঠে। এই বোৰ জানিলে শুনিলে তাইক বিয়া কৰাবলৈ লোকে নাক নোকোচাবনে ছিঃ—সুঃ—

লক্ষ্মীকান্তৰ শৰীৰ কঁপিবলৈ ধৰিলে। কলে "বিশ্বাস কৰিব তেখেতৰ নাম যে প্ৰভা আইদেও এই মাথো আপোনাৰ মুখত প্ৰথম শুনিলে। মোৰ কবিতাৰ প্ৰভা বসন্ত কালৰ কল্পনাৰ—"

"কৰা কবি ভাবিছিলোঁ কবিৰ প্ৰাণ সৰল-লেখকৰ বুকু বহল। মিছা বেশ্যাৰ ঠাই তাত নাই, পিছে মিছা। মঘা মহৰীৰ চকুত ধূলি মাৰিবলৈ অপচেষ্টা নকৰাই তোমাৰ মঙ্গল। বাৰু মানিলোঁ তোমাৰ কবি প্ৰিয়া কল্পনাৰ বুলি। কিন্তু তোমাৰ এই উষা হৰণ গদ্য কবিতাই কয় কি, হুঃ—নিশ্চয় তোমাৰ মগজুৰ বিকাৰ ঘটিছে। গদ্য গৈ কবিতা হল। গদ্যৰ কন কঠিয়া মাৰিলা। গদ্য কবিতাৰ কথাও শুনোহে লাগে। লিখিছা—

'বদ্ধ হৃদয়ৰ ৰুদ্ধ বেদনা লৈ কবি ফুৰিছিলা বীণ বাই কিবা বিচাৰি আন্ধাৰত আন্ধাৰ ভীষণ আন্ধাৰ, বীণৰ ঝঙ্কাৰ মূৰ্ত্ত হল, ছন্দময়ী চিত্ৰ লেখাৰ ৰূপ লৈ অপৰূপ তেওঁৰ লয়লাস, মন্থৰ তেওঁৰ গতি। আকৰ্ষণত কবি মুগ্ধ। দেৱীৰ ইঙ্গিতত কবিয়ে চকু মুদিলে। তাৰ পিছত আপোনা আপুনি কবিৰ চকু মেল খালে আগত দেখিলে কবিৰ জন্মান্তৰৰ সাধনাৰ সাৰ উষাৰ সেই হিৰণ বৰণী উষাৰ—' বছ আৰু নপঢ়ো। জল জল পট পট। ভুৱা নিদিবা, ধৰা পৰিছা পদে প্ৰমাণে। অনিৰুদ্ধ তুমি কাম কাজ নাপাই আন্ধাৰত অনাই বনাই ফুৰিছিলা। গোটেই সংসাৰ আন্ধাৰ দেখিছিলা, চিত্ৰলেখা হৈছে তোমাৰ লেখাবোৰ। সেইবাবে তোমাক ইয়ালৈ টানি আনিলে, লেখক নোহোৱা হলে আমিয়েই বা তোমাক বিচাৰিম কিয়? আহি দেখিলা বগী ধক ধকী প্ৰভাক, তোমাৰ সাধনাৰ সাৰ হিৰণ বৰণী উষাক। শুনিছোঁ কবিবোৰে বোলে লম্পট নহয়। কিন্তু তুমি কাকতীৰ ঘৰৰ কাইথৰ লৰা হৈ দৰ্শন পঢ়ি এনে চুলং হলা কিয়? পৰহি প্ৰভাক তুমি দেখিছিলা, আৰু পলম নসহিল, সেইদিনাই দিলা বঁতিয়াই 'কবিপ্ৰিয়া' কবিতা উষাহৰণ গদ্য পদ্য। প্ৰভাক হৰণ কৰিবা, হৰণ কৰি বগাঘৰত ভাত খাবৰ কাৰণ দুৰ্ম্মতি নোহোৱাই আছিল তোমাৰ পক্ষে ভাল। শইকীয়াই শুদাই এৰিব, ছিঃ।" ঘৃণাত মহৰীৰ মুখত বিকাৰে দেখা দিলে।

অলপপৰ মৌন হৈ থাকি মহৰীয়ে মুখ মেলিলে, 'শুনা বোপা তোমাৰ ভালেই মোৰ ভাল। বুঢ়াৰ পৰামৰ্শ উপদেশ শুনা। নহলে কেঁকাবা। তুমি প্ৰভাক বিয়া কৰা। উচাপ খাইছা? উপাই নাই তাইৰ ইহকাল পৰকাল নাখাবা। তায়ো তোমাৰ কবিতা পঢ়ি কিবা হনু সোৱাদ পায়। দেখিছোঁ তাইৰ গাতো কবিতাৰ সকলো লক্ষণ প্ৰকাশ পাইছে। তোমাৰ সাহিত্যৰথৰ প্ৰভা হক প্ৰাধান সাৰথী, তোমাৰ সাহিত্য ইঞ্জিনৰ প্ৰভা হক লুব্ৰিকেটিং অয়ল, আশীৰ্ব্বাদ দিছোঁ। তুমি আবেগত বন্দী।"

"কিন্তু যাৰ ঘৰত লক্ষ্মীৰ কৰা নাই। যাৰ অন্ন সংস্থানৰ উপায় নাই।"

মহৰীয়ে হাঁহি কলে "তাঁৰ বিয়া কৰোৱা নিতান্ত অন্যায় ইয়াকেই বোধ কৰো বোপাই কব খুইছা, এই লেখা পঢ়া জনা লৰাহতৰ মগজুত আজি কালি সোমাইছে কি ভাবি মই পাৰ নাপাওঁ, বিয়াৰকথা ওলালে মুখ বেকা কৰে। ইফালে চিঞৰিব খাবলৈ নাপাই মৰিলো বুলি, কাম কাজ নাপাই ৰসাতললৈ গলো বুলি। আৰে বাপু তিৰোতাই যে ঘৰৰ লক্ষ্মী তালৈ সিহঁতৰ ভ্ৰূক্ষেপ নাই। লক্ষ্মী আমাৰ ওচৰতেই আছে, প্ৰতি ঘৰে ঘৰে আই বিৰাজ কৰিছে। কিন্তু দম্ভ অহঙ্কাৰে বিদ্যা বুদ্ধিৰ ভেমে গেলা গপে ডেকাইতক আজি অন্ধলা কৰিছে। লক্ষ্মীক নেওচাৰ প্ৰতিফল লক্ষ্মীয়ে নিদিব কিয়? লক্ষ্মী কোন চিনিবৰ বা বুজিবৰ চেষ্টা নাই।

কবিয়ে লাহেকৈ 'কলে বুজিব নোৱৰাবিলো'।

"নুবুজাত মই আচৰিত নহও। কিন্তু কবি তুমি জানা অন্ততঃ পঢ়িছা কৰ্ম্মসিদ্ধি ঘটে লক্ষ্মীলাভ হয়, প্ৰেৰণাত সাধনাত, উদ্যোগত। কল্পনাত নহয়। ঘৰৰ লখিমী ঘৰলৈ চপোৱা আগ্ৰহেৰে। দুদিনতে তোমাৰ জয় জয় ময় ময় হবই হব। ভাবি চোৱা তুমি যদি শইকীয়াৰ এই লখিমী ছোৱালীটি সামৰা, সামৰিবা বুলি ধৰিছোৱেই দুদিনতে সৌভাগ্য সূৰ্য্য তোমাৰ কপালত নুদিবনে। তোমাৰ চেহেৰা নবদলিবনে, হেজাৰ বিজাৰে টকাৰ মালিক তোমাৰ শহুহৰ শইকীয়াৰ সত যাবনে অভাৱত তোমাৰ কুম সোমোৱা শুকান মুখনি চাই থাকিবলৈ। তেনেজন পুৰুষ আমাৰ শইকীয়া নহয়। পৰৰ দুখত—আপোন মানুহৰ কথাকেই নকওঁ পমি যোৱা এনেজন পুৰুষ নহব নোপজিব। তেওঁৰ আগহাতৰ দান বাওঁ হাতেও নাজানে বোপা। প্ৰভাক বিয়া কৰি তুমি উদ্ধাৰ হোৱা, কেলেঙ্কাৰী খনৰ পৰা শইকীয়াকো পৰিত্ৰাণ কৰা। ওচৰ চুবুৰীয়াই বী-বিয়াই-ছেই। শইকীয়াৰ বিপুল দানত সুকলমে 'সেৱাৰ' কাৰ্য্য তুমি চলাব পাৰিবা। মই লেখক নহওঁ কিন্তু তোমাৰ গল্প তোমাৰ কবিতা পঢ়ি মই পুনৰ্জ্জন্ম পাইছো তোমাৰ লেখাৰ কি তেজ, কল্পনাৰ কি বাহাদুৰী। শুনা বোপা তোমাৰ শুভাকাঙ্ক্ষী মই, এই মাহেন্দ্ৰ সুযোগ হেলাত নেহেৰুৱাবা। নিবনুৱা সমস্যা সমাধানৰ বিবাহেই হৈছে সোণালী সুযোগ। জীৱনত ছেগ মাথো এবাৰহে আহে।

লক্ষ্মীকান্তৰ লক্ষ্মী লাভ

নিচেই চুৰ্চুৰীয়াকৈ কবিৰ লগত প্ৰভাৰ বিয়া হৈ গল। হাকিম মুঞ্চপৰ লগত বিয়া দিব নোৱাৰাত শইকীয়াৰ বোলে মনত বৰ বেজাৰ। এৰা এনে অৱস্থাত মন থাকিলেও ঘমঘণ্টেৰে জীয়েকৰ বিয়াখন তেওঁ পাতে কেনেকৈ।

মহৰীৰ কথা মতে সাদিনৰ ছুটী লৈ লক্ষ্মীকান্ত সস্ত্ৰীক ঘৰলৈ যাত্ৰা কৰিলে। নবোৱাৰীয়ে শাহুৱেকক এবাৰ সেৱা জনাই অহা ভাল।

কিন্তু লক্ষ্মী কান্তৰ ছুটীৰ শেষ আৰু নহল। মহৰীয়ে লিখিলে শইকীয়াই তেওঁৰ বুকুৰ কলিজা আইদেওক উলিয়াই দি বৰ কাতৰ হৈ পৰিছে। সম্প্ৰতি শোকত 'সেৱা'ৰ কাৰ্য্য বন্ধ ৰাখিবলৈ তেওঁ থিৰাং কৰিছে। সেৱাৰ কথা ওলালেই তেওঁৰ হুমুনিয়াহ ওলায়, হাট ফেল হবৰ উপক্ৰম হয়। কবিতা দেখিলেই তেওঁ উচাপ খায়। তোমাৰ লেখাত প্ৰাণ আছে, শক্তি আছে গতিকে সাহিত্য সাধনাৰ কাৰণে তুমি আন ঠাই বিচাৰি লোৱাই ভাল। শুনি সন্তোষ পাবা তুমি লেখি থৈ যোৱা গল্প আৰু কবিতা বোৰ কটকী কোম্পানীয়ে প্ৰকাশ কৰিবলৈ গাত লৈছে।

লাভৰ ভিতৰত শূন্য

সাদিনৰ দিনা শইকীয়াই মহৰীক আগ্ৰহেৰে সুধিলে 'পিছে কটকী কোম্পানীয়ে কলে কি ?'

"তোমাৰ সৰ্ব্বস্বত্ব সংৰক্ষিত জোৱাই কবিয়ে সেৱাৰ সম্পাদক স্বৰূপে লিখা গল্প আৰু কবিতাৰ কাৰণে দিব খোজে দেৰশ। অনেক খট্ বান্ধৰ মূৰত।"

"মুঠেই দেৰশ। সিফালে কেৰাণী মহৰীৰ দৰমহা কাটি পোৱা ছকুৰি টকা ছোৱালীৰ যৌতুকত দিয়া গহনা গাঁঠৰি বয় বস্তুতেই উৰিল। নিলে তাই মোৰ সকলো ঢুহি ঢুহি নিলে।"

"হক ভায়া সোলাৰ মুখত মাৰি পৰে সিও সোলাৰ লাভ। কবিক দিলা আঢ়ৈ কুৰি তেওঁৰ খোৱাত আৰু ছোৱালীৰ বিয়াৰ জা জলপানত তোমাৰ টানি মানি খৰচ হল পাঁচ কুৰি। দেৰশ গল দেৰশ আহিল।"

"লাভৰ ভিতৰত বিৰাট শূন্য" হুমুনিয়াহ কাঢ়ি মুখ আমোলাই শইকীয়া ভিতৰ সোমাল।

গড়গাওঁ

—শ্ৰীযুত হৰিচন্দ্ৰ ভট্টাচাৰ্য্য বি-এ

গড়গাওঁ অতীত আহোম ৰাজ্যৰ ৰাজধানী। ই এপিনে যিদৰে আহোম বংশৰ লুপ্ত শক্তিক জগাই ৰাখিছে আনপিনে সেইদৰে সমস্ত অসমীয়া জাতিৰে অতীত গৌৰৱ মণি ৰূপে আজিও অসমীয়াৰ আন্ধাৰ ৰাজ্যত পোহৰ বিলাই আহিছে। বৰ্ত্তমান গড়গাওঁ শিৱসাগৰ জিলাৰ ভিতৰত নাজিৰাৰ উত্তৰ পূব কোনে ইয়ালৈ শিৱসাগৰ নগৰৰ পৰা দক্ষিণে ন মাইল আৰু নাজিৰাৰ পৰা মুঠে দেৰ মাইল মানহে হব। যি গড়গাওঁ এসময়ত ৰাজধানীৰ বিবিধ কাৰুকাৰ্য্য আৰু জাকজমকতাৰে পৰিপূৰ্ণ হৈ আছিল আজি সেই ঠাই অৰণ্যময়। সাপ, বাঘ, আদি হিংস্ৰ জন্তুৰ প্ৰকোপত দিন দুপৰীয়াতে তাত অকলে সোমাবলৈ ভয় লাগে।

বাইলুং সকলে লিখা অসম বুৰঞ্জীৰ মতে এই গড়গাওঁৰ আদি অৱস্থিতিৰ বিষয়ে এটা গল্প শুনা যায়। এবাৰ পাণ্ডৱপত্নী সকলৰ লগত কৌৰৱপত্নী সৱৰ দুৰ্ঘোৰ বিবাদ জন্মিল। ভগবান শ্ৰীকৃষ্ণৰ সাহায্যত পাণ্ডৱপক্ষ জয়ী হব বুলি অনুমান কৰি কৌৰৱ পক্ষই তেওঁক নানা ভাবে স্তুতি প্ৰাৰ্থনা কৰিব ধৰিলে। আৰ্ত্তৰ কাতৰ স্তুতিত ভগবান সন্তুষ্ট হল আৰু কৌৰৱ পক্ষৰ উন্নতি হব বুলি কলে। ইপিনে ইন্দ্ৰৰ ওচৰলৈ গৈ শ্ৰীকৃষ্ণই ইন্দ্ৰক এগৰাকী কৌৰৱ পত্নীক কিছুদিনলৈ ভাৰ্য্যাৰূপে গ্ৰহণ কৰাবলৈ সম্মত কৰালে আৰু কলে যে ইন্দ্ৰৰ সঙ্গমত কৌৰৱ পত্নীৰ গৰ্ভত যি সন্তান উৎপাদন হব সি বিশেষ শক্তিমন্ত হব আৰু এখন জনপূৰ্ণ বিশাল সমৃদ্ধিশালী ৰাজ্যৰ ৰজা হব আৰু সেই ৰাজ্যৰ পশ্চিমে থাকিব দুমুনীগড়।

সেই বন্দোবস্ত মতে কিছুদিনৰ অন্তত সঁচাকৈয়ে ইন্দ্ৰৰ সঙ্গমত সেই কৌৰৱ পত্নীৰ গৰ্ভত এটি হৃষ্ট পুষ্ট ধুনীয়া সন্তান জন্ম হল। ৰাজ পুত্ৰক থবলৈ উপযুক্ত ঠাই এডোখৰৰ সন্ধান হব ধৰিলে। সেই স্থান বাছনিত পৰিল আমাৰ এই গড়গাওঁ। ইয়াত এটা দুৰ্গ সজাই নবজাত সন্তানক থবলৈ দিহা কৰা হল। ইন্দ্ৰদেৱে নিজে আহি এই সন্তানক ৰাজপুত্ৰ নামেৰে অলঙ্কৃত কৰি পশ্চিমে দুমুনীগড় পৰ্য্যন্ত এওঁক ৰাজ্যভাৰ অৰ্পণ কৰিলে, আৰু মন্ত্ৰী, বৰগোঁহাই, বৰবৰুৱা আদি পদেৰে ৰাজসভাৰ বিষয়া নিযুক্ত কৰি দি গল। বাইলুঙৰ অসম বুৰঞ্জী মতে বৰফুকন, বুঢ়াগোহাঁই, বৰগোহাঁই, বৰবৰুৱাদি ৰাজ বিষয়াবোৰ ইন্দ্ৰই দি যোৱা মতেই চলি আহিছে। এই আখ্যান মহাভাৰতীয় যুগৰ অৰ্থাৎ খৃঃ পূঃ প্ৰায় ১৫০০ বছৰৰ আগৰ কথা। আখ্যানটিৰ সত্যাসত্য থাওকতে বিচাৰ বা আলোচনা কৰা টান। তথাপি ইয়াৰ পৰা অইন নহলেও এইটো স্পষ্ট বুজা যায় যে অতি প্ৰাচীন কালৰে পৰা কিবা নহয় কিবা বিশেষ কাৰণত এই গড়গাওঁৰ প্ৰতি সৰ্ব্বসাধাৰণৰ স্তব্ধ দৃষ্টি আকৰ্ষিত হৈছিল।

আহোম ৰাজ্যৰ প্ৰথম ৰাজধানী আছিল চৰাইদেওত। চৰাইদেও দিখৌ নৈৰ পূব পাৰে। আহোমৰ প্ৰথম ৰজা স্বৰ্গদেও চুকা ফাই দিখৌ নৈৰ দাতিত ৰাজধানী বিনা কাৰণে পতা নাই। অন্যান্য নৈৰ পানীত কৈ দিখৌ নৈৰ পানী তেওঁ বেছি ভাল বুলি নিজে প্ৰমাণ জানি লৈছে এই নৈৰ দাঁতিত ৰাজধানী স্থল নিৰ্ব্বাচন কৰিলে (It is reported by natives that Sookapha conquerer of Assam, chose his residence at this spot on account of the superiority of the water and clay of the Dikhou)

কালক্ৰমত সাম্ৰাজ্য বিস্তাৰৰ সুবিধা অসুবিধা বুজি ৰাজধানীত স্থল নিৰ্ব্বাচনৰ পৰিবৰ্ত্তন ঘটিব ধৰিলে।

চৰাইদেওৰ পাছত কিছুদিন ৰেগুৱাত আৰু কিছুদিন বাহাটা নামে ঠাইত ৰাজধানী স্থাপিত হৈছিল। স্বৰ্গদেৱ চুক্লেন্‌মুং সিংহাসনত উঠি এই ৰাজধানী ইং ১৫৪০ খৃষ্টাব্দত গড়গাৱলৈ স্থানান্তৰিত কৰে। এই কাৰণে এওঁক গৰগঞা ৰজাও বোলা হয়। ৰাজধানীৰ স্থান পৰিবৰ্ত্তন কৰাৰ প্ৰধান কাৰণ আহোম ৰাজ্য সেই সময়ত পশ্চিম পিনলৈ ভালে খিনি বাঢ়িল ; ইপিনে পিতৃহত্যাৰ বিভীষিকাই বাহাটাত তেওঁৰ মন দিন যায় মানে বেছি উদ্বিগ্ন কৰি তুলিব ধৰিলে !

কাৰো কাৰো মতে স্বৰ্গদেৱ চুক্লেনমুঙৰ পিতাক চুহুংমুংহে গড়গঞা ৰজা বৰ্ত্তমান ভগ্নাৱশেষ থকা কাৰেংঘৰটো হেনো স্বৰ্গদেৱ ৰাজ্যেশ্বৰ সিংহৰ দিনত সজোৱা হৈছিল। ৰংপুৰৰ তলাতলি ঘৰো সজোৱাই এৱেঁই। এই কাৰেং দুটা সজা কৌশল যেনে সুন্দৰ আৰু সুৰুচিপূৰ্ণ এইজনা স্বৰ্গদেৱক গৃহ নিৰ্ম্মাণ কলাজ্ঞ (Architect) আখ্যা দিলেও ভুল নহয় যেন লাগে। কোনো কোনোৱে আকৌ কয় যে এই কাৰেং সজাৰ আচনি খন স্বৰ্গদেৱ গদাধৰ সিংহইহে কৰি থৈ গৈছিল।

গড়গাওঁ নামে ধামে কাৰ্য্য কৌশলে সচাকৈয়ে গড় গাওঁ। সোমাজত যিটো ৰাজ কাৰেং ঘৰ আছে তাৰ কেউপিনে গড় এটা দুটাও নহয় প্ৰধানকৈ প্ৰকাণ্ড ২ চাৰিটা কাৰেঙৰ বিশ পচিশ নল মান আতঁৰত চাৰি উপিনে এটা সৰু গড়। ই সুদা ইটাৰে বন্ধোৱা সেই দেখি ইয়াক ইটাগড় বোলে। ই প্ৰায় চাৰি গজ ওখ আৰু দুগজমান বহল। ইটাগড়ৰ কেই নল মান আঁতৰত আকৌ এটা গড় আছে। ই কেৱল মাটিৰে তৈয়াৰী ওখই প্ৰায় পাঁচ গজ আৰু বহলে তিনি গজ মান হব। ইয়াৰ কেই নলমান দূৰত যি এটা আকৌ গড় আছে সিও মাটিৰ কিন্তু ভিতৰত বাকী দুটাতকৈ ভালেখিনি ওখ আৰু আৰু বহল। ওখই প্ৰায় সাত গজ আৰু বহলে প্ৰায় পাঁচ গজমান হব। ইয়াৰ দীঘ প্ৰত্যেক পিনে এমাইলকৈ চাৰিপিনে চাৰি মাইল। এই কেইটাত বাজেও কাৰেঙৰ পৰা প্ৰায় পাঁচ ছ মাইল দূৰত আৰু এটা প্ৰকাণ্ড গড়ে গড় গাওঁক বেৰি ৰাখিছে। ইয়াৰ দীঘ প্ৰত্যেক পিনে পাঁচ মাইল মানকৈ হব লাগে।

গড়বোৰৰ ওখ আৰু বহল অনুযায়ী প্ৰত্যেক গড়ৰ দুয়ো দাঁতিয়ে একোটাকৈ খাৱৈ আছিল। ডাঙৰ গড় টোৰ দুয়ো দাতিয়ে থকা খাৱৈ প্ৰত্যেকটোৱেই চাৰি পাঁচ নল মানকৈ বহল হব ! এই গড়টোৰ ওপৰ খনত কেউপিনে তেনেই কোটোহা বাহবোৰ। ঠায়ে ২ আজি কালিও সেইদৰে আছে। কোটোহা বাঁহ বোৰ কাটি বাঢ়ি মুকলিওৱা কেনে দুঃসাধ্য সকলোৱেই জানে। চতুৰ আহোম ৰজাই শত্ৰুৰ আগমন বন্ধ কৰিবলৈ ৰাজধানীৰ কেউপিনে এনে বোৰ কৌশল লগাইছিল। এই ডাঙৰ গড়টোৰ নাম আজিকালি এঠাইত বাঁহগড় বোলে আৰু অইন ঠাইত অইন নামে জনা যায়। তেন্তে দেখা গল যে গড়গাওঁৰ এই ৰাজ কাৰেংটো যেন চাৰিটা সমবাহু ক্ষেত্ৰৰ কেন্দ্ৰস্থলত অৱস্থিত। ৰাজধানীৰ মাজলৈ সোমাবলৈ বাট আছিল কাৰো কাৰো মতে এপিনেদিহে। সেই ঠাই খিনিক আজি কালি নঙলামৰা বোলে।

এনে বুদ্ধি কৌশলৰে বেঢ়ি কুঢ়ি ইমান সযতনে ৰখা স্বত্তেও ইন্দ্ৰবংশী আহোমৰ সোণৰ পুতলা গড়গাওঁ ৰাজধানী শত্ৰুৰ আক্ৰমণ উৎপীড়নৰ হাত সম্পূৰ্ণভাৱে সাৰিব নোৱাৰিলে। গড়গঞা (বা চুক্লেন্‌মুং) ৰজাৰ মৃত্যুৰ পাচত যেতিয়া চুখাম্‌ফা (বা খোৰা ৰজা) ৰজা হয় সেই সময়ত বিপুল কোচ সৈন্যবাহিনীয়ে এই গড় গাওঁ অধিকাৰ কৰিবলৈ অগ্ৰসৰ হৈছিল। কোচ সৈন্যৰ সেনাপতি আছিল ৰণনিপুণ বীৰ অথচ ধৰ্ম্মভীৰু চিলাৰায়। কোচ সৈন্যক খেদাবলৈ বুলি খোৰা ৰজাই খোৰা বুদ্ধি জোৰা দি তেওঁ সৈন্য কিছুমানক লগুণ পিন্ধাই গৰুৰ ওপৰত তুলি দি যুদ্ধ কৰিবলৈ পঠিয়ালে। কিন্তু চতুৰ চিলাৰায়ৰ তীক্ষ্ণবুদ্ধিৰ আগত খোৰা বুদ্ধি থিতাতে চিঙি ধৰা পৰিল। কোচ সৈন্যই আহোম সৈন্যক পৰাস্ত কৰি গড়গাওঁ অধিকাৰ কৰিলে। গৈ গৈ আহোম ৰাজ্য প্ৰায় কোচৰাজ্যৰ তলতীয়া হল।

তথাপি আহোমৰ যুদ্ধ কৌশল আহোমৰ শৰীৰৰ তেজ, বাহুৰ শক্তি হ্ৰাস হোৱা নাই। ঠায়ে ঠায়ে অসমলৈ অহা পৰাক্ৰমী মুছলমান বিলাকো আহোমৰ হাতত হাৰ মানিব লগা হল। সেই সময়ত বঙ্গদেশৰ শাসন ভাৰ আছিল মোগল বাদ্‌ছাহ ঔৰংজেৱৰ সেনাপতি মিৰজুম্‌লাৰ অধীনত। মুছলমান পৰাজয়ৰ কথা কাণত পৰিলত ক্ৰোধান্ধ হৈ সেনাপতি মিৰজুম্‌লাই আহোমৰ বিপক্ষে আগ বাঢ়ি আহি অসম সোমালহি। অৱশেষত কেবা ঠাইতো আহোম সৈন্যক ছলে বলে চক্ৰান্তে পৰাস্ত কৰি ঠায়ে ঠায়ে দুৰ্গ নিৰ্ম্মাণ কৰি অৱশেষত গড়গাওঁ অধিকাৰ কৰিলেহি। এই গড়গাৱঁতে তেওঁ হেনো "বিৰাশীটা হাতী আৰু তিনি লাখ মোন সোণ" পাইছিল। শেহত মিৰ্‌জুম্‌লাই সন্ধি কৰিহে অসমৰ পৰা যাবলৈ বাধ্য হল।

আহোম ৰাজ্যৰ বিখ্যাত ৰজা স্বৰ্গদেৱ ৰুদ্ৰসিংহ গড়গাওঁ নগৰতে পিতৃসিংহাসনত উঠি ৰাজ্যশাসন ভাৰ গ্ৰহণ কৰিছিল। ৰুদ্ৰসিংহৰ পাছত তেওঁৰ ভায়েক শিৱসিংহ ৰজা হয়। ইয়াৰ কেইবছৰমান পাছত তেওঁৰ ভায়েক ৰাজেশ্বৰ সিংহই গড়গাৱঁৰ পৰা তেওঁৰ ৰাজধানী ৰংপুৰ নগৰলৈ স্থানান্তৰিত কৰে। সেই সময়ৰ পৰা ৰংপুৰ নগৰ আহোম ৰাজ্যৰ ৰাজধানী আৰু সেই সময়ৰ পৰা ধৰি তাত নানা ৰকম পকী ঘৰ, দেউল দেৱালয় নিৰ্ম্মিত হব ধৰে। তেতিয়াও গড়গাওঁ আহোম সকলৰ অধীনত।

গৌৰীনাথ সিংহ ৰাজপাতত উঠিয়েই পিতৃবৈৰী মোৱামৰীয়া সকলৰ ওপৰত প্ৰতিশোধ লবৰ মনেৰে তেওঁলোকৰ ওপৰত অশেষ অত্যাচাৰ বিহিবলৈ আৰম্ভ কৰিলে। দলে দলে মোৱা মৰীয়া গৈ দিশে দিশে নানান উৎপীড়ন কৰিব ধৰিলে। দেশত শান্তি নাই, শৃঙ্খলা নাই, কেউপিনে হাহাকাৰ। মোৱামৰীয়াৰ বিদ্ৰোহত চৌদিশে আৰ্ত্তৰ কাতৰ ৰোল উঠিব ধৰিলে। গৌৰীনাথৰ বাসনা পূৰ নহল। বৰঞ্চ মোৱা মৰীয়া আহিহে গড়গাওঁ দখল কৰিলেহি। ইয়াৰ পাছত মান বিলাক আহিও যে সোণৰ আহোম ৰাজ্য কিদৰে লুটি পুটি ছাৰখাৰ কৰিলেহি সি ৰোমাঞ্চক কথা বৰ্ণনাতীত।

এই দৰে আমাৰ গড়গাওঁ খনিৰ ওপৰত আৰম্ভণীৰে পৰা কত সময়ত যে কত ঠাইৰ পৰা কত ৰকমৰ দানৱ দৌৰাত্ম্য হব ধৰিছিল তাৰ লেখ জোখ নাই। কাৰণ ৰাজধানী স্বৰূপে ই মানুহৰ যিমান দৃষ্টি আকৰ্ষণ কৰিছিল, আন বাহিৰা বিষয়তো ই তাতোকৈ একোৰ ছৰাহে আছিল বুলি অনুমান কৰিব পাৰি। গড়গাৱঁত যিটো চোলং (দেৱানখানা) আছিল তাক হেনো "বাৰ হাজাৰ বাঢ়ৈয়ে এবছৰে নিৰ্ম্মাণ কৰি উলিয়াইছিল। ই দীঘে একশ দহ হাত আৰু পথালিয়ে ত্ৰিশ হাত। এই ঘৰৰ ছয়ষষ্ঠীটা স্তম্ভ। প্ৰত্যেকটি বিতোপন স্তম্ভৰ বেৰ বা পৰিধি চাৰি হাত।...ৰজা বহা কোঠালিত সমুখা সমুখী চাৰিটা চক্‌চকীয়া স্তম্ভৰ প্ৰত্যেকটোতে নটাকৈ সোণৰ উজ্জ্বল আঙঠি মোৰোৱা এই কোঠালিত বিতোপন চক্‌চকীয়া পাথৰৰ সাতখলপীয়া ভেটীৰ ওপৰত ৰাজসিংহাসন পতা হয়। তাৰ ওপৰত হৰেক ৰকমৰ সোণ আৰু মূল্যবান আঙঠিৰে তৰা নখলপা চাঙ্গটি চান্দোৱাৰ। নানাবিধ বহুমূলীয়া অলঙ্কাৰ আৰু অতুলন সাজ সমলেৰে গোটেই ঘৰটি পৰিপূৰ্ণ...।" মুছলমান লিখক ইবন মক্ষাদ ওৱালিয়ে তেওঁৰ 'ফঠীয়া-ই-ইব্ৰীয়াহ (Fathi-i-Ibriah) নামে পুথিত গড়গাওঁ নগৰ এইদৰে বৰ্ণাই গৈছে। এইবোৰ কথা আখৰে আখৰে কিমান দূৰ সচা কব নোৱাৰি, কিন্তু গড়গঞা ৰজাসৱৰ দিনকাল চাই তেওঁলোকৰ কাৰুকাৰ্য্য যে অতি চমৎকাৰ আছিল তাত সন্দেহ কৰিব লগীয়া অকণো নাই। মানুহে এনেয়েনো কয়নে "গড়গাৱঁৰ কথা শুনি তল যাওঁ"। গড়গাৱৰ বিষয়ে এনেবিধৰ আৰু যি দুই চাৰিটা সাঁথৰ ফকৰা অসমীয়াৰ মুখে মুখে চলি আহিছে সেইবোৰেও আমাৰ অতীত কীৰ্ত্তিলৈকে স্পষ্ট ভাবে আঙুলিয়াই আহিছে।

শত্ৰুৰ হাতৰ পৰা ৰক্ষা পাবৰ কাৰণে আজিকালিও গড়মৰা প্ৰথা ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। সেই সময়ত অসমত ই বিশেষ ভাবে চলিছিল। মোৱামৰীয়া অহা বাৰ্ত্তা পাই চতুৰ পূৰ্ণানন্দ বৰগোহাঁয়ে ৰংপুৰ নগৰৰ চাৰিউপিনে একে নিশাৰ ভিতৰত এটা গড় নিৰ্ম্মাণ কৰাইছিল। ৰজা প্ৰতাপসিংহই পাণ্ডুৰ চাৰিউকাষে

গড় মৰাইছিল। স্বৰ্গদেৱ চুক্লেন্‌মুঙে নাৰায়ণপুৰৰ কেউদাতিয়ে গড় মাৰি নগৰ খন অটোমটোকাৰিকৈ ৰাখিবলৈ চেষ্টা কৰিছিল॥ একে নিশাৰ ভিতৰতে গড় নিৰ্ম্মাণ কৰাবৰ অভিপ্ৰায়ে বীৰ লাচিত ফুকনে মৰমৰ মোমায়েককো তৰোৱালেৰে দুটুকুৰা কৰি কাটি পেলাবলৈ কুণ্ঠিত নহৈছিল। সেই সময়ত গড়মৰা কাৰ্য্য শত্ৰুৰ প্ৰতি বিপক্ষ আচৰণৰ এটা প্ৰধান সম্বল হৈ পৰিছিল।—

শত্ৰুৰ আগমন প্ৰতিৰোধ কৰিবৰ নিমিত্তে গড়গাৱঁৰ কেউকাষে অতবোৰ মনেপতা হাতেসজা গড় আদি যে আছিলেই তাত বাজেও প্ৰকৃতিক আলমৰ সহায়তো গড়গাওঁ অনেক বিষয়ত নিৰাপদ। ইয়াৰ এপিনে দিখৌ নৈ, এপিনে দিছাং, এপিনে দৰিকা, কিছুদূৰতে এপিনেদি উচ্চমালা নগাপাহাৰ আনপিনেদি মহাবাহু ব্ৰহ্মপুত্ৰ। ঠায়ে ঠায়ে অগম্য ডাঠ হাবিৰ অভাৱ নাই। প্ৰায় আজিকালিও অসম খন কেৱল কেইটামান লুং লুঙীয়া বাট আৰু গোটাচেৰেক জুপুৰীঘৰৰ সমষ্টি বুলিলেও বেছি ভুল কোৱা নহব। কিন্তু কথা প্ৰসঙ্গত ইয়াকো নকৈ নোৱাৰি যে জগতৰ নেওচা বেং ভেকুলীৰ গাতো হীৰা মাণিক পোৱা যায়। বেং ভেকুলীয়েও জগতৰ আদৰ পায়। আমাৰ সৰু সৰু লৰা ছোৱালী এনেয়েনো ভেকুলীবিয়া উৎসৱ পাতি বং তামাছা কৰেনে? এই প্ৰকৃতি দত্ত প্ৰতিৰোধ সম্বল বোৰত বাজেও অসমৰ ৰজা মহাৰজা সকলে কতনো ভূমি-গড়, বাঁহগড়, হাটা-গড়, কতনো ওখ ২ খাৱৈ, বেৰ দেওনা, জপনা সজোৱালে, তথাপি সোণৰ অসমক ৰক্ষা কৰিবলৈ তেওঁলোক অপাৰগ হব লগাত পৰিল। পৰাক্ৰমী আহোম ৰজাসৱে তেওঁলোকৰ সোণাময় ৰাজ্যসম্পত্তি হেৰুৱাবলৈ বাধ্য হল।

ওচৰত নৈ পাহাৰাদি প্ৰাকৃতিক আলম লৈ গৰগাঁৱৰ জলবায়ু ও স্বাস্থ্যকৰ হৈ পৰিছিল। তদুপৰি চুক্লেম্‌মুং ৰজাই ইয়াত কেবাটাও পুখুৰী খনাই আমাৰ গড়গাওঁ এখন আদৰ্শ নগৰ কৰি তুলিলে। এই পুখুৰী বিলাকৰ ভিতৰত আজিকালিও কেইটামান কিছু ভালদৰেই আছে আৰু কেইটামানৰ পুখুৰী বুলি চিন মাত্ৰহে পোৱা যায়। ভিতৰ ফালৰ পৰা ধৰি তৃতীয় গড়ৰ দাতিত মিঠা পুখুৰী নামে এটা ডাঙৰ দীঘল বহল পুখুৰী আজি কালিও ভালদৰেই আছে। ইয়াৰ পানী এতিয়াও নিৰ্ম্মল আৰু পুখুৰীটো দেখিবলৈ স্বাভাৱিকতে বৰ শুৱনী। কেই বছৰ মান আগতে ইয়াত কলাজৰ চিকিৎসাৰ কেন্দ্ৰ চিকিৎসালয় পতা হৈছিল। কোৱা শুনা যায় নগাই অমলখু খাই পানী মিঠা পালে আৰু সৰল পাহাৰী নগাই ইয়াক মিঠা পুখুৰী নাম দিলে। ই এনেয়ে সাজি কোৱা কথা যেনহে লাগে। কাৰেঙৰ নিচেই ওচৰত এটা সৰু পুখুৰী আজিকালিও আছে। আজিকালি ইয়াৰ পানী বৰ ভাল নহয় আৰু ই আধা পোত গৈছে। কোনো কোনোৱে এই পুখুৰীটোৰ নামহে মিঠাপুখুৰী বুলি কোৱা শুনা যায়। সম্ভৱতঃ ই ফুলনিৰ ভিতৰৰ পুখুৰী আছিল আৰু বিলাসৰ সামগ্ৰী বুলি ইয়াক মিঠা পুখুৰী নাম দিছিল। হয়তো বা ইয়াৰ পানী সৰ্ব্বতোভাবে বৰ উত্তম আছিল বুলিয়েই ইয়াক তেনে নাম দিছে।

কাৰেঙলৈ সোমোৱা বাটৰ দাতিত তৃতীয় গড়ৰ ওচৰত এটা পুখুৰীৰ অৱশেষ চিন আছে ইয়াৰ নাম বোলে বৰচৰা নে বাটচৰা পুখুৰী। কাৰেং আৰু দ্বিতীয়, তৃতীয় গড়ৰ মাজত আকৌ কেইবাটাও পুখুৰী আছে। এইবোৰৰ এটাও এতিয়া নিয়মিত ভাবে ভাল অৱস্থাত নাই। ইয়াৰো এটাৰ নাম গোলাঘৰ পুখুৰী। বোধহয় ওচৰত খাৰ বাৰুদ থকা গোলাঘৰত কেনেবাকৈ অগ্নিকাণ্ড হলে ইয়াৰ পানীৰে তাক নিৰ্ব্বাপিত কৰিবলৈ বুলি এই পুখুৰীটো খনোৱা হৈছিল। ওপৰত উল্লেখ কৰি অহা উন্নত ধৰণৰ মিঠা পুখুৰীটোত বাদে ভিতৰত গোলাঘৰ পুখুৰীটোৱেই ডাঙৰ। বৰ্ত্তমান ই এখন পিটনিৰ অৱস্থাত। কাৰেঙৰ দুই চাৰি পাঁচ মাইল দূৰে দূৰে ঠায়ে ঠায়ে আৰু বহুত ডাঙৰ ডাঙৰ মানুহ এতিয়াও আগৰ দৰে উন্নত অৱস্থাত আছে আৰু ৰায়তে তাৰ পৰা যথেষ্ট সুবিধা পাইছে। গোলাঘৰৰ কাষতে পূব পিনলৈ আকৌ এটা পুখুৰী আছে। ইয়াৰ নাম জামুগুৰি পুখুৰী। আকৌ ওচৰতে থকা এটা পুখুৰীৰ নাম ধোৱা পুখুৰী, এটাৰ নাম চোমদৈ, এটা পানী

দুৱাৰৰ পুখুৰী আৰু এটাৰ নাম কুৱঁৰী পুখুৰী। কুৱঁৰী পুখুৰীটো কাৰেঙৰ পাছফালে অৰ্থাৎ বৰ্ত্তমান কাৰেঙৰ পূব উত্তৰ পিনলৈ; কাৰণ, কাৰেঙলৈ আহিবলৈ গড় বিলাকৰ মাজেদি বাট আছে পশ্চিম পিনেদি, এই পুখুৰীটোত হেনো ৰজাৰ কুৱঁৰী সকলে অশুচি অৱস্থাত গা ধুইছিল। এইদেখি ইয়াৰ সেই নাম। এই পুখুৰী বোৰৰ প্ৰায়বোৰতে আজিকালি খৰালি পানী নাথাকে বা খুব কম থাকে আৰু প্ৰায়বোৰ নল খাগৰি বননিৰ সমষ্টি মাথোন। তাহানিৰ জল সৌন্দৰ্য্য ইয়াৰ একেবাৰে লোপ পাইছে।

গড়গাওঁ নগৰৰ সিংহদ্বাৰ (সিংহদুৱাৰ) স্বৰ্গদেৱ চুলেনফা বা প্ৰমত্তসিংহৰ দিনত (খ্ৰীঃ ১৭৪৬ ৰপৰা ১৭৫০ চনৰ ভিতৰত) সজোৱা হৈছিল। ৰাজধানী গড়গাঁৱলৈ সোমাবলৈ দুটা প্ৰধান বাট বা সিংহদ্বাৰ আছিল বুলি শুনা যায়। সেই দুডোখৰ ঠাইৰ এডোখৰ এতিয়াও সিংহদুৱাৰ আৰু এডোখৰক নঙলামৰা বোলে। কিন্তু ইবন মহ্মদ্ ওৱালিয়ে তেওঁৰ 'ফঠীয়া-ই ইব্ৰীয়াহ নামে পুথিত গড়গাওঁ নগৰৰ চাৰিখন পকী দুৱাৰ আছিল বুলি লিখি গৈছে।

কাৰেং ঘৰৰ অলপ কেই নলমান দূৰত দ্বিতীয় আৰু তৃতীয় গড়ৰ মাজত এটা গোলাঘৰ আছে। বৰ্ত্তমান ই আধাভগা, জীৰ্ণশীৰ্ণ শীথিলাৱস্থাত, চাৰিউপিনে ডাঠ হাবি, বাৰিষা যাবলৈ টান। ইয়াত যুদ্ধৰ খাৰ বাৰুদাদি বয়বস্তু ৰখা হৈছিল। ঘৰটো দীঘলে প্ৰায় পঁচিশ গজ আৰু বহলে বাৰ গজ মান হব। গোটেইটো ঘৰৰ চাল, বেৰ ভেঁটি তেনেই ই ইটাৰে তৈয়াৰি। চালখন ধেনুভিৰীয়া। ওখই সোঁমাজ ডোখৰ দহ গজ মান হব। বেৰ বোৰ বৰ ডাঠ প্ৰায় আঢ়ৈ গজ মানকৈ হব। ইয়াৰ ভিতৰলৈ সোমাবলৈ বাট মুঠেই এপিনেদি আছে। এই গোলাঘৰটো অলপতে কাহানিবাকৈ ভাগি এটা ইটাৰ স্তূপাকাৰত পৰিণত হব নিশ্চয়। কৰ্ত্তৃপক্ষই ইয়ালৈ অকণ দৃষ্টিপাত কৰা হলে নিঃকিন অসমীয়াৰ পুৰণা কীৰ্ত্তি এটা ৰক্ষা পৰিল হেঁতেন।

কাৰেং ঘৰটো সমুদায় ইটাৰে নিৰ্ম্মিত। ইটাবোৰ শিল যেন টান বৰ বহল আৰু ডাঙৰ ডাঙৰ। বৰ্ত্তমান কাৰেংটো যিমান দীঘল বহল অৱস্থাত আছে প্ৰথমে সজাৰ সময়তো সিমানটোৱেই আছিল হব পায়, কিন্তুআজি-কালি দুই চাৰিটা কোঠা আৰু বাৰাণ্ডা (verandah) ভাগি গৈছে। কোঠা প্ৰায়বোৰ সৰু সৰু। তালৈ বাহিৰৰ পৰা বতাহ ভালকৈ চলাচল কৰিব নোৱাৰে। কোঠাবোৰৰ ভিতৰলৈ সোমোৱা দুৱাৰ মুখটো চাপৰ আৰু বৰঠেক। কাৰেংটো এই দৰে সজোৱাৰ অভি-প্ৰায় কি আছিল থিৰাংকৈ বুজিব নোৱাৰি। বোধ হয় বহুত দিনলৈ যাতে মজবুত ভাবে থাকে সেই উদ্দেশ্য লৈয়েই ঘৰটো এনেদৰে সজোৱা হৈছিল হব পায়। আগতে যি ভাগি ছিগি নষ্ট হৈ গল গল। কিন্তু এতিয়া গবৰ্ণমেণ্টৰ অধীনত পৰি নতুনকৈ ই একো বিশেষ বেয়া হব পৰা নাই। কাৰেংটো থকা অলপ মাথোন মাটি বাদ দি বাকী ডোখৰ মাটি বৰ্ত্ত মানে অসম কোম্পানী চাহ বাগীছাৰ অধীনত।

যদিও ডাঠ অৰণ্যই আজি ৰাজধানী গড়গাওঁ নগৰক নিদাৰুণ ভাবে হেঁচা মাৰি চেপি ধৰিছে যদিওবা এতিয়াৰ গড়গাওঁ তাহানিৰ আহোম ৰাজ-ধানী গড়গাওঁ নহয় তথাপি- গড়গাৱৰ ৰাজকাৰেঙে এতিয়াও আহোম বীৰৰ লুপ্ত শক্তি জাগ্ৰত কৰি ৰাখিব পাৰিছে।

হাবি বননিৰ মাজে এতিয়াও হাঁয়'
মলয়াই ঘনে ঘনে কাণে কাণে কয়,
গছে পাতে বিহঙ্গমে বনে বনে গায়,
অতীত অসম ধন লুপ্ত হোৱা নাই। *

* এই প্ৰবন্ধ লিখাত শ্ৰীযুত বেদনাথ বৰঠাকুৰ ডাঙৰীয়াই দুটামান টোকা দি লিখকক সহায় কৰিছে।

ভাৰতৰ দক্ষিণ কোণৰ শেষ সীমাত এভুমুকি

(ক)

ভ্ৰমণ কাহিনী—

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

ত্ৰিনেভেলী আৰু নাঙ্গুনেৰীত চাৰিদিন

সেইদিনা মেই মাহৰ ২০ তাৰিখ। দাক্ষিণাত্যৰ মথুৰা মাদুৱা (Madura) চহৰৰ সকলো চাৰলগীয়া দ'ল অট্টালিকা আৰু ৰাজভৱন চাই উঠি ভাৰতৰ দক্ষিণ কোণৰ শেষ সীমালৈ অৰ্থাৎ কুমাৰিকা অন্তৰীপ, ত্ৰিবাঙ্কুৰ ৰাজ্য আৰু তাৰ ওচৰৰ অন্য অন্য ঠাইলৈ যাওনা হবলৈ টালি টোপোলা বান্ধি সাজু হলোঁ। মাদুৱা ষ্টেচনৰ পৰা দুপৰীয়া ১২ বজাত এখন বেল বাওনা হৈ গধূলি ৫-৩০ মান বজাত ত্ৰিনেভেলী (Trinnevelly) পাওগৈ। বেলৰ তৃতীয় শ্ৰেণীৰ ভাৰা ২৸৹ দুটকা তিনি পইচা মাথোন—মাদুৱাৰ পৰা ত্ৰিনেভেলীলৈকে। উল্লেখ কৰা বাহুল্য মাথোন যে সাধাৰণতে ভ্ৰমণকাৰীয়ে যিমান পৰা যায় তিমান কম খৰচতে সকলো ভ্ৰমণ চলাবলৈ চেষ্টা কৰে আৰু সেই কাৰণে সাধাৰণতে তৃতীয় শ্ৰেণীতেই সদায় ভ্ৰমণ কৰা হয়। আৰু তাৰ উপৰিও ভ্ৰমণ কৰা অৱস্থাত নানা ধৰণৰ নানা সুবিধা অসুবিধাৰ মাজেদি নানা ভৰহৰ মানুহৰ লগত মিলি নানা কথা জানিবৰ সুযোগ তৃতীয় শ্ৰেণীৰ ভ্ৰমণত যিমান মিলে অইন কোনো শ্ৰেণীত তিমান নিমিলে। ওপৰৰ শ্ৰেণীত ভ্ৰমণ কৰা মানে আমৰ ফৰ্ম্মটৰ ওপৰত উঠি যোৱা—তেনে ভ্ৰমণ আছিল কণা, গ'ল কণাৰ নিচিনা। এতেকে তেনে ভ্ৰমণত বিশেষ একো শিকিব নোৱাৰি; সাতে পাছে মই সদায়েই তৃতীয় শ্ৰেণীতেই ভ্ৰমণ কৰি আহিছোঁ।

যথা সময়ত ত্ৰিনেভেলী ষ্টেচনলৈ টিকট এটা কিনি লৈ বেলত উঠিলোঁগৈ। আৰু তাৰ অলপ পিছত গাৰীও এৰিলে। গাৰী চলাৰ লগে লগে মোৰ মনটো সৰকালে হেন লাগি যাবলৈ ধৰিলে—এফালে ভাৰতৰ শেষ সীমালৈ গৈ নিজে নিজে গৌৰৱ অনুভৱ কৰাৰ লোভত আৰু সিফালে বেলৰ কাষৰ উপাদেয় প্ৰাকৃতিক দৃশ্যৰ মনোৰম সৌন্দৰ্য্যৰ ভোগত। বাস্তবিকতে এই খিনিতে মন খুলি উল্লেখ কৰিব লাগিব যে এই ছয়োটি কাৰণৰ ভিতৰত আগবঢ়োৱৰ প্ৰভাৱ মোৰ মনত বেছিকৈ সোমাইছিল; কাৰণ যেহেতু এবাৰ মই উত্তৰ ভাৰতৰ একেবাৰে শেষ সীমাৰ ওচৰ পাই আহিলোগৈ, এইবাৰ তেওঁ এই শেষ সীমাত ভূমুকি মাৰিব পাৰিলে মানুহৰ আখত গপ কৰিবলৈ সুবিধা হব যে মই ভাৰতৰ 'উদগিৰিৰ' পৰা 'অস্তগিৰি' লৈকে অথবা 'কাশিৰৰ' পৰা কুমাৰিকালৈকে' ঘুৰিছো—এই সুবিধাতিৰ আশাত যে মই অলপ মলহীয়া হৈছিলো তাক স্বীকাৰ নকৰিলেও সত্যৰ অপলাপ কৰা হ'ব। অৱশ্যে বেলৰ আচিল কাষে কাষে ঘোৱা পোনবটীয়া সেন্দুৰীয়া আলিটি দেখিবলৈ অতি মনোৰম আৰু তাৰ লগে লগে মৃদু বাসন্তী মলয়াৰ বাৰেও গাত ঢৌ খেলি যথেষ্ট কণে শীত কৰি তুলিছিল। সাজে পাচে ভ্ৰমণটি বেছ উপাদেয় হৈছিল। মোৰ দাক্ষিণাত্য ভ্ৰমণৰ এই ছোৱাৰ লগত আগেয়ে প্ৰথম ছোৱাত বৰ্ণনা কৰি অহা খৰগপুৰ ষ্টেচনত টকা কড়ি, কাপোৰ কানি টিকট আদি সৰ্ব্বস্ব হেকৰাই বিনা টিকটবে পাচঁশ মাইল গাৰীৰ চুকত, মিউ-মাখন চুৰি কৰি খাই গোন্ধৰাত চুকে কোৰে সোমাই গা বচাবলৈ চেষ্টা কৰা চোৰৰ দৰে, কুচি-মুচিকৈ সোমাই ঘোৱাৰ অৱস্থাৰ লগত তুলনা কৰিলে স্বৰ্গ্য মৰ্ত্তৰ সুখৰ প্ৰভেদৰ দৰে লাগে—তেতিয়া আছিল মনটো উদ্বিগ্নতাৰ মাজত ভয়াতুৰ আৰু এতিয়াৰ মনটো সম্পূৰ্ণ মুকুলিয়ৰীয়া আৰু ফৰকাল হেন। যেই কোনো ভ্ৰমণতে ভ্ৰমণকাৰীয়ে এই দুয়ো ধৰণৰ অৱস্থাকে

আশা কৰি যাব লাগিব। এই সুখ দুঃখৰ মাজত দিয়া দুতিয়াগৰতেই সমন্বত যথেষ্ট শিক্ষা আৰু আনন্দ উপভোগ কৰিব পাৰি।

মাদুৱা এৰি কিছুদূৰ যোৱাৰ পিছতেই বিখ্যাত মণিগাচী (Manigachi) ষ্টেচন পালোগৈ। এই ষ্টেচনত গাৰী প্ৰায় এঘণ্টা সময় ৰয়। এই ঠাইতেই ১৯০৬ চনত জিলাৰ ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেট জনক কিছুমান মানুহে গুলি কৰি মাৰিছিল আৰু সেই কাৰণেই ই আজি প্ৰসিদ্ধ হৈ আছে। বেলৰ যাত্ৰীবোৰে এই ঠাই পালেই সেই ঘটনাৰ স্মৃতি এবাৰ নহয় এবাৰ সুঁৰৰি যায় আৰু সেইদৰেই সেই কৰুণ স্মৃতি এতিয়াও মানুহৰ মনত জাগ্ৰত হৈ আছে।

তাৰ পৰা কিছু সময় গলেই ত্ৰিনেভেলী ষ্টেচন পায়গৈ। ই এটা প্ৰসিদ্ধ ষ্টেচন আৰু ইয়াৰ কাষত থকা সৰু নগৰ খনিও বিতোপন। এই ত্ৰিনেভেলী নগৰতেই এটি হিন্দু কলেজ আছে আৰু তাৰ কাষতে এটা দ'ল। এই দ'লটো দেখিবলৈ বৰ ধুনীয়া। লগত দিয়া ছবি খনেই তাৰ নমুনা দেখুৱাব। এই ছবিখনত মন্দিৰৰ



বিখ্যাত ত্ৰিনেভেলী মন্দিৰৰ দৃশ্য (একোণৰ পৰা)—ওচৰৰ পঞ্চাচিত মন্দিৰৰ বৰখন ভাঙি ৰাখিছে।

বাহিৰৰ কোণ এটাৰ দৃশ্যহে মাথোন প্ৰকাশ পাইছে। এই মন্দিৰটোৰ আধা ভাগ পাৰ্ব্বতী মাই আৰু বাকি ভাগছে সদাশিৱৰ নামে উচৰ্গা কৰা হৈছে। দ'লৰ ওপৰত বহুত শিপি দেখিবলৈ পোৱা যায় আৰু তাৰ চাৰিওফালে ইমান কাৰুকাৰ্য্য চিন পোৱা যায় যে ইয়াক প্ৰকৃততে দ্ৰাবিড়ীয় শিল্পবিজ্ঞাৰ নমুনাহে বুলিব পাৰি। এই মন্দিৰৰ এটা বিশেষত্ব দেখা যায়—যি বিশেষত্বৰ আভাষ দ্ৰাবিড়-দেশীয় কোনো মন্দিৰতে পোৱা নেযায়। দ'লৰ বুলিবৰ

পানী-গ'চাৰ চাল আৰু বেৰবোৰৰ কাঠৰ নমুনাবে কটোৱা। এচেই এই মন্দিৰৰ বিশেষত্ব; কাৰণ দ্ৰাবিড় দেশীয় কাৰুকাৰ্য্যত কাঠ ব্যৱহাৰ নিচেই কম পৰিমাণেহে দেখা পোৱা যায়। •

ত্ৰিনেভেলী ষ্টেচন পাহেই তাত এখণ্টামান জিবাই ওচৰৰ কলেজত থকা মোৰ এজন বন্ধুৰ (যেই কলেজৰে অধ্যাপক) ঘৰ বিচাৰি গলো আৰু তেওঁৰ ঘৰতে ভালদৰে চাহ-জলপান খবিলোঁ, তাৰ পিছত তেওঁৰ লগত নগৰখন ঘুৰি পকি চাই ললো। এই ৰিনিত উল্লেখ কৰা দৰকাৰ যে দাক্ষিণাত্য ভ্ৰমণত লিখকৰ ভাগ্যত অনেক স্থল কলেজৰ ছাত্ৰ, শিক্ষক, অধ্যাপক আৰু অন্যান্য ভদ্ৰলোক আদিৰ লগত চিনা জনা হৈ নানা কথা বাৰ্ত্তা হোৱাৰ সুবিধা হৈছিল আৰু সেই সকলোবে অনুবোধ আৰু চেষ্টাত কুমাৰিকা অন্তৰীপত থকা সময়তেই তাতেই এটি correspondence league খোলা হৈছিল। মোৰ বন্ধু মিঃ মুত্থুস্বামীদেৱা তাৰ এজন ডাঙৰ পৃষ্ঠ পোষক আছিল আৰু প্ৰকৃততে তেৱেঁই এই অনুষ্ঠানৰ ওৰি আছিল যদিও সম্পাদকৰ ভাৰ তেওঁলোকে লেখকৰ কান্ধৰ ওপৰতেই পেলাইছিল। মিঃ মুত্থুস্বামীদেৱে এতিয়াও সকলো দৰণৰ খবৰ বাতৰিবে দৈতে চিঠি পত্ৰ দি থাকে।

বন্ধুবৰৰ ঘৰৰ পৰা বিদায় মাগি লগতে তেওঁকো সঙ্গী হিচাবে লৈ আমি জহা কুমাৰিকা অন্তৰীপলৈ যোৱা এখন মটৰ বাছত উঠিলোগৈ আৰু বাতি প্ৰায় ৯ মান বজাত আমি নাঙ্গুনেৰী (Nangunery) নামে এখন প্ৰসিদ্ধ ঠাই পালোগৈ। এই নাঙ্গুনেৰী চহৰ ত্ৰিনেভেলীৰ পৰা ২০ মাইল দুৰ। ত্ৰিনেভেলীৰ পৰা কুমাৰিকা অন্তৰীপলৈ যাওতে বাটত দুঠাইত মটৰ বাছ বদলি কৰি লব লাগে। এঠাই এই নাঙ্গুনেৰীতেই আৰু ইঠাই 'নাগৰকইল' (Nagarcoil) চহৰত। ত্ৰিনেভেলীৰ পৰা এই নাঙ্গুনেৰীলৈ মটৰ বাছৰ ভাৰা বাৰ অনা মাথোন আৰু তাবে বেছ সুবত যাব পাৰি। বাতি গৈ সেই বন্ধুৰ অন্য এজন বন্ধুৰ ঘৰত উঠিলোগৈ আৰু তাতে বাই-বৈ বাতিটোৰ কাৰণে নিদ্ৰাদেৱীৰ আশ্ৰয় ললোঁ।

এই নাঙ্গুনেৰী চহৰতে কেবাটাও লগত লব লগীয়া বস্তু আছে। প্ৰথমতে তোতাদ্ৰী (Totadri) বিষ্ণু মন্দিৰ আৰু তাৰ সোণৰ বৰ; দ্বিতীয়তে মন্দিৰৰ ভিতৰত থকা তেলৰ কুৱাটি চাব লগীয়া। এই কুৱাত সদায়েই মন্দিৰৰ মূৰ্ত্তি ধুওৱা তেলবোৰ জমা কৰি ৰখা হয়। আৰু সেই তেল যাত্ৰীবোৰে বোতলত বা টিনত ভৰাই ভৰাই লৈ যায়। মানুহৰ একান্ত বিশ্বাস আৰুই প্ৰকৃততে সত্যও যে এই তেল গাত ঘহিলে গাত কোনো ঘুজুতি বা চালৰ বেমাৰ থাকিব নোৱাৰে। তাৰ উপৰিও কুষ্ঠৰোগৰ কাৰণে ই বেছ গুণদায়ক। সেই কাৰণে মন্দিৰৰ বাহিৰ চৰাত সদায়েই শই শই কুষ্ঠ ৰোগীক তেলৰ কাৰণে খাপ দি থকা দেখা পোৱা যায়। এই তেলৰ গুণ অশেষ আৰু সেই কাৰণেই দন্দৰ দোকানী পাণ্ডা সকলেও এই তেল পোহাৰ পাঁতি যাত্ৰীৰ পৰা ধন আদায় কৰাৰ সুবিধা এৰা নাই। মন্মো সেই তেল এবতল ভালকৈ বান্ধি ঘৰলৈ লৈ আছিছিলো, যদিও তাৰ কাৰণে মই পাণ্ডাক একো দিব লগা হোৱা নাছিল; কাৰণ মই তেওঁলোকৰ সেই তেলৰ বেচ হিচাবে কুটা কড়ি এটা দিবলৈকো অমাস্তি হৈছিলোঁ।

এই তেলৰ গুণৰ বিষয়ে আমি বিশেষকৈ ভাবি চাব লগীয়া। ই অইন বিশেষ একো তেল নহয়। কেবল তিলৰ তেলহে। পিছে শিলৰ মূৰ্ত্তিটোৰ ওপৰত ঢালিলেই ইয়াৰ এনে দনস্তৰী গুণ হয় কেনেকৈ তাক ভাবি চাব লগীয়া। হিন্দুৰ ধৰ্ম্ম সম্বন্ধীয় অন্ধ বিশ্বাসবোৰত বিশ্বাস নকৰিলেও এইটো কিন্তু অস্বীকাৰ কৰা টান হব যে মূৰ্ত্তি ধুওৱাৰ সময়ত সেই বিশিষ্ট মূৰ্ত্তি নিশ্চিত শিলৰ লগত লগা লাগি এই তেলৰ নিদান গুণ (action) দৰবৰ নিচিনা হয় আৰু সেই গুণেই (property) বোগৰ ঔষধ হৈ পৰে। এই বোৰ অন্ধ বিশ্বাসক আমি মিছা বুলি গ্ৰহণ নকৰিলেও "জৌজ" বুলি মানি লব লাগিবই। হায় এনে ধৰণৰ কত তথা আৰু পদ্ধতি অজ্ঞানতাৰ অন্ধকাৰৰ মাজত পৰি জগতৰ আগত অন্ধবিশ্বাস ৰূপে দৰ্শিত হৈ অহি যহি যাব লাগিছে। সেইবোৰ উদ্ধাৰ কৰি জগতৰ আগত দেখুৱাব পাৰিলে জগতে স্বীকাৰ কৰিবলৈ বাধ্য হব যে হিন্দু ধৰ্ম্ম কেবল জড় উপাসনা কৰা অসভ্য ধৰ্ম্ম নহয় ই এটা বৈজ্ঞানিক তথ্য নিহিত মহৎ ধৰ্ম্ম। হিন্দু ধৰ্ম্ম যে নিত্য সনাতন তাক এনে কিছুমান বৈজ্ঞানিক তথ্যৰ পৰা প্ৰমাণ কৰিব পাৰি।

লোক মোকালি পুৱাৰ চল পোহৰতে উঠিয়েই মন্দিৰ দৰ্শনাৰ্থে গা ধুবলৈ বুলি বাহিৰ ফুৰিবলৈ ঢাপলি মেলিলো। বাহিৰলৈ ওলাইয়েই দেখো যে ডেকা বুঢ়া, লৰা ছোৱালী, গাভৰু বোৱাৰী, জাক নন্দেক, শাহু জেখাহু মাক বাইদেউক সকলোৱেই মুকলি পথাৰ আৰু পুখুৰীৰ ফালে পুৱাৰ কুকুৰাৰ প্ৰথম ডাকৰ পৰাই প্ৰাতঃকৃত্যৰ অৰ্থে অহা যোৱা কৰিছে। মান্দাজী সকলৰ ই এটা বিশেষত্ব। তেওঁলোকে পুৱা কুকুৰাৰ ডাকতে উঠি প্ৰথমতে ঠিবোতা সকল গৈ মুকলি পাথৰত শৌচাচাৰ শেষ কৰি বাচন-বৰ্ত্তন সাজি নিকা কৰি গা-পা ধুই আজৰি হৈ লয়। ইতি মধ্যতে মতাবোৰে গৈ ঠিক সেই দৰেই প্ৰাতঃকৃত্য শেষ কৰি স্নান কৰে। ঘৰৰ অন্য লৰা ছোৱালীবোৰকো বিচনাতে বদ দেখিবলৈ এৰি নাযায় তাহাতকো পুৱাই সেইদৰে গা-পা ধুৱাই মন আৰু দেহ দিনটোৰ কাৰণে চাফা কৰি



শাঙ্কিণাত্যৰ চাৰি সতীৰ্থ স্বামী প্ৰভুৰ ভিতৰত প্ৰতিষ্ঠ স্বামী শ্ৰীশী টোটাদ্ৰী মঠৰ সন্মাধিকাৰ (শ্ৰীশীস্বামী প্ৰভুৰ অনুগ্ৰহত লিখকে গোৱা)

• এই বিষয়ে "Civil Engineer's Annual" নামৰ আলোচনীত প্ৰকাশ হৈ গোৱা লিখকৰ 'South Indian Architecture' নামৰ সচিত্ৰ প্ৰবন্ধত ভালদৰে আলোচনা কৰা হৈছে। উক্ত আলোচনী এপ্ৰিল মাহৰ আগ নাগাহতে প্ৰকাশ হৈছে—লিখক।

দিয়ে। তাহাতেও নিজে মাক বাপেকৰ লগত পুৱাই উঠি গা পা ধোৱেগৈ যেনিবা ই তাহাতৰ দৈনিক কাম হে। ই এটা ডাঙৰ অভ্যাস আৰু এই অভ্যাস সকলো লৰা ছোৱালীকে শিকোৱা হয়। এয়েই আছিল হিন্দুৰ আগৰ শিক্ষা-দীক্ষা আৰু আদৰ্শ। কিন্তু হায় আগৰ সেই শিক্ষা, দীক্ষা আদৰ্শ কলৈ গল। যি অলপ আছে সি মাদ্ৰাজীসকলৰ এই আচাৰ ব্যৱহাৰ বোৰতে অলপ দেখিবলৈ পোৱা যায়। এই কাৰণে আচলতে কবলৈ গলে দ্ৰাবিড়ী বিলাকেই প্ৰকৃত আৰ্য্য।

শৌচাচাৰ শেষ কৰি আহি মই মোৰ বন্ধুৰ সৈতে গা ধুবলৈ পুখুৰীলৈ আহিলো। এই পুখুৰী আমাৰ বাঁহতলীয়া পোতা পুখুৰী নহয়। ই প্ৰকাণ্ড ডাঙৰ পুখুৰী—দীঘলে ২।৩ মাইল মান হ'ব আৰু বহলে প্ৰায় এ মাইলৰ ওচৰ পাবগৈ। এই পুখুৰী খন্দোৱা নহয়—ৰায়তৰ খেতিৰ পানী যোগোৱাৰ অৰ্থে ৰজাই পাৰ বন্ধাই কৰাই দিয়া পুখুৰী। এনে ধৰণৰ ডাঙৰ পুখুৰী মাদ্ৰাজ প্ৰদেশত ভৰি ভৰি আছে। পাঞ্জাব আৰু যুক্ত প্ৰদেশৰ দৰে মাদ্ৰাজত কোনো নলা খান্দি পানী যোগোৱাৰ ব্যৱস্থা (Irrigation Canals) নাই। তাৰ পৰিবৰ্ত্তে এই পানী যোগোৱা পুখুৰীয়েই (Irrigation Tanks) কাম চলায়। বাৰিষা কালত ওচৰৰ পৰ্ব্বত পাহাড়, নৈ-উপনৈৰ পৰা বৈ অহা উপকৰা পানী আহি তিনিওফালে পাৰ বন্ধা এডোখৰ দ সমতল ভূমিত জমা হয়হি। এই পাৰ বন্ধা বৃহৎ পুখুৰীৰ পৰাই চাৰিওফালে নলা কাটি খেতিৰ অৰ্থে যথেষ্ট পানী বেলেগ বেলেগ গাৱলৈ নিয়া হয়। আগৰ ৰজা-মহাৰজা সকলে ৰায়তৰ সুবিধাৰ অৰ্থে এনে ধৰণৰ পুখুৰী মন্দিৰৰ কাষে কাষে বন্ধোৱা দেখা যায়—যেনে 'নাঙ্গুনেৰী'ৰ "এৰী" (মানে পুখুৰী), 'মদুৰান্তকম্'ৰ "এৰী" ইত্যাদি। আমি পহিলতে গৈয়েই প্ৰথম দিনা সেই পুখুৰী একেবাৰে তৰাং দেখা পাইছিলো আৰু গা ধুবলৈ পানী বিচাৰি পুখুৰীটোৰ পাৰৰ পৰা প্ৰায় আধা মাইল দূৰ খোজ কাঢ়ি যাব লাগিছিল। কিন্তু আমি থকা সেই পুখুৰী হঠাতে চপচপিয়াকৈ পাৰ ভৰি তলি-ফুটা শিৱসাগৰ-জয়সাগৰ পুখুৰী হেন হৈ পৰিল—যদিও আয়তনত সেই পুখুৰী জয়সাগৰ-শিৱসাগৰ পুখুৰীতকৈ অনেক গুণে ডাঙৰ; তথাপি পানীৰ তৰলতা, গভীৰতা আৰু পাৰ বন্ধোৱা কাৰুকাৰ্য্যত আহোম ৰজাৰ পুখুৰী-ভাৰতৰ ভিতৰত অদ্বিতীয় হৈ আছে আৰু এই কথা অনেক বিজ্ঞ ভ্ৰমণকাৰীয়ে মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে।

গা-পা ধুই উঠিয়েই মন্দিৰৰ ফাললৈ খোজ ললোঁ। আমি যিমান পাৰো তিমান ততাতয়াকৈ গৈছিলো; কাৰণ, সেইদিনা মন্দিৰত উৎসৱ থকাৰ নিমিত্তে যাত্ৰীৰ ভিৰ বৰ বেছি। বাটতে দুটা উট দেখা পালো আৰু সেই কিটা মন্দিৰৰেই সম্পত্তি বুলি জানিব পাৰিলো। আৰ পিছতে বৃহৎ সোণৰ ৰথখন দেখা পালো। এই ৰথৰ মূল্য ৭০০০০৲ সত্তৰ হেজাৰ টকা বুলি জানিব পাৰিলো। তাৰ পিছতে মন্দিৰৰ বাট চ'ৰা। তাৰপৰা গৈয়েই মন্দিৰৰ ভিতৰত সোমালোগৈ। মন্দিৰৰ মূৰ্ত্তি দৰ্শন কৰি অটাই মোৰ বন্ধুৰ সৈতে নানা ধৰণৰ পিঠা-পনা বিচৰাত লাগিলো। এনে ধৰণৰ পিঠা-পনা দাক্ষিণাত্য মন্দিৰত যথেষ্টৰূপে পোৱা যায়—বিশেষকৈ উৎসৱৰ সময়ত আৰু বেছি। আমি যাবৰ দিনা উৎসৱৰ বিৰাট আয়োজন—পিঠা-পনা, লাৰু প্ৰসাদ আদিৰে মন্দিৰ ভৰি গৈছে আৰু সেই হিচাবে যাত্ৰীৰ ভিৰেও দোলদোপ-হেন্দোলদোপ কৰি তুলিছে। যাত্ৰীৰ ভিৰ দেখিয়েই ধৰ্ম্মৰ দোকানী পাণ্ডাসকলেও ধৰ্ম্মৰ বৃহট হাট পাতি প্ৰসাদ বেচাৰ ধুম ভালদৰেই চলাইছে। এনে ধৰণৰ ধৰ্ম্মৰ দোকান কাশী কাঞ্চি, মথুৰা-বৃন্দাবন, গয়া-পুৰী, মাদুৰা-ৰামেশ্বৰম সকলো তীৰ্থ ক্ষেত্ৰতে একে দৰেই চলিবই লাগিছে আৰু সেইদৰেই সকলো ঠাইতে দেখি অহাৰ কাৰণে তাৰ এই ধুমত মই বিশেষ একো আচৰিত হোৱা নাছিলো। পিচে এই ধৰ্ম্ম-দোকানী সকলৰ কাৰ্য্যৰ প্ৰতিকাৰ কৰাৰ উদ্দেশ্য লৈয়েই সকলো ঠাইতে ফাক মাৰি ধৰ্ম্মৰ দোকানৰ বস্তু আদায় কৰা অভ্যাস মোৰ এটা স্বভাৱগত মনোবৃত্তি হৈ পৰিছিল। কাৰণ মই সকলো তীৰ্থক্ষেত্ৰৰ ধৰ্ম্মৰ হাটৰপৰা যিমান পাৰো তিমান বস্তু আদায় কৰি পইচা নিদিয়াকৈয়ে ফাক মাৰি আহিছো। সেই অভ্যাস অনুযায়ী সেই পাণ্ডাসকলৰ হাতৰ পৰাও যথেষ্ট পিঠা-পনা লাৰু-মিঠৈ বিনাপইছাতে আদায় কৰি

খাই আহিলো। এইদৰে ফাকি দি কেনেকৈ বস্তু আদায় কৰিব পাৰি তাৰ বুদ্ধি ৰাইজৰ আগত মুকলি ভাবে পৌঢ়ি কৰিবলৈ লিখক অপাৰগ, কাৰণ তেতিয়া ভ্ৰমণ বিদ্যাৰ গুপুত কিটিপ বাহিৰ হৈ যায় আৰু তেনে হলেই অনেকে সময়ত তেনেদৰে বিনা কষ্টেৰে বিনা পইছাতে ফাক মাৰি খাই আহিবৰ সুযোগো মৰে। সেই কাৰণে ই যদিও অতি সাধাৰণ আৰু উজু উপায় তথাপি গোটেই পৰিব্ৰাজক জগতৰ স্বাৰ্থৰ হকে গুপুত কৰি থোৱা প্ৰত্যেক ভ্ৰমণকাৰীৰে কৰ্ত্তব্য। কোনোৱে এই বিদ্যা শিকিব খুজিলে তেওঁক আচুটিয়াকৈ গুপুতভাবে কোৱা হব—যদিহে তেওঁ কথাই-বাৰ্ত্তাই, চলনে-ফিৰণে' কামে কাজে প্ৰকৃততে এজন পৰিব্ৰাজক বুলি পৰিচয় দিব পাৰে। এই কিটিপকে travelling tricks বোলা হয় আৰু এই tricksৰ উপকাৰৰ বিষয়ে বেছি জনাবলৈ নগৈ ইয়াকেই উল্লেখ কৰিলে যথেষ্ট হব যে সময়ত ইয়াৰ পৰা "at the minimum cost of labour and expence the greatest opportunity availed" অৰ্থাৎ অতি কম খৰচ আৰু চেষ্টাতেই অত্যন্ত ডাঙৰ সুবিধা লব পাৰি, সময়ত ই হাজাৰ টকাৰ খৰচো অতি অলপ কষ্টতে কমাই পেলায়। মোৰ উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ ভ্ৰমণত হোৱা বিলৈ—বিপত্তিৰপৰা প্ৰাণ পাইছো এই কিটিপৰ যোগেদি, আৰু বিনা টিকটৰে পাঁচ শ মাইল হাতত টকা এটি নোহোৱাকৈয়ে যাব পৰিছিলো এই ৰক্ষা-কবচৰ যোগেদি। মেৰে এই বুদ্ধি দেখি অইনে একো নকলেও মোৰ বন্ধু জনে মোক নসালাগি নোৱাৰিলে।

মন্দিৰত পেটভৰাই পিঠা-পনা খাই, হেপাহ পলুৱাই ভিতৰৰ কাৰুকাৰ্য্য চাই আৰু বতল ভৰাই ওপৰত উল্লেখ কৰা কুৱাৰ তেল লৈ আমাৰ বাসস্থানলৈ আহিলো। আহোতে মন্দিৰৰ বুলনিত সোণ ৰূপৰে খটোৱা খাটোলা আৰু ৰথ, সোণপাতেৰে বন্ধোৱা মন্দিৰৰ ধ্বজ-স্তম্ভ আদি চাই আহিলো, দ্ৰাবিড়ী ভিতৰে বাহিৰে দেশীয় মন্দিৰৰ কি কি বস্তু সাধাৰণতে থাকে তাৰ বিস্তৃত বিবৰণ এটি সুকীয়া প্ৰবন্ধত পিছত আলোচনা কৰা হব, এতিয়া ইয়াকে মাথোন উল্লেখ কৰিলেই যথেষ্ট হ'ব যে ওপৰত উল্লেখ কৰা 'ধ্বজস্তম্ভ' প্ৰত্যেক মন্দিৰৰ দুৱাৰ মুখতে অৱস্থিত—সৰু ডাঙৰ ওখ চাপৰ উকা সোনখটোৱা যেনে তেনে ৰূপে হলেও ই মন্দিৰৰ সমুখত থাকিবই থাকিব আৰু এই 'ধ্বজ-স্তম্ভ'ৰ চাৰিওফালে মন্দিৰৰ বাদ্য-যন্ত্ৰ, পেপা-কালি সকলো বজোৱা হয়। তাৰপৰা ওলাই আহি সোঁহাতে ঘোৰা হাতি আৰু উটৰ আস্তালয় আৰু বাওঁ হাতে শ্ৰীশ্ৰীতোতাদ্ৰী মঠৰ সত্ৰ বিশেষ বৰ্ত্তমান। এই মঠৰ বিষয়ে অলপতে আলোচনা কৰা হ'ব। এই হাতি, ঘোৰা, উট, লৈয়েই মন্দিৰৰ 'উৎসৱ 'বেৰম্'ৰ শোভাযাত্ৰা বাহিৰ হব আৰু সেই শোভাযাত্ৰা মন্দিৰৰ চাৰিওফালে ঘূৰি তাৰ পিছত নগৰ ভ্ৰমণ কৰে। আমি যাবৰ দিনা তেনে এটা শোভাযাত্ৰা বাহিৰ হৈছিল উৎসৱৰ উপলক্ষে; আৰু আমি সেই ঠাই এৰিবৰ দিনা শুকুৰবৰীয়া শোভাযাত্ৰাও দেখিবলৈ পাইছিলো।

বহালৈ আহি অলপ জিৰাই সতাই সৰু নগৰখন চাবলৈ বাহিৰ হলো। মন্দিৰৰ চৌহদ্দত সোমাই থাকোতে বাহিৰৰ নগৰৰ জাকজমকতালৈ মনতেই নপৰে। সেই-দৰেই নগৰৰ ভিতৰত সোমাই দোকান পোহাৰ, অফিচ স্কুল আদিৰ মাজত সোমালে মন্দিৰৰ কথা সমুলঞ্চে পাহৰি যোৱা যায়। ইঠাইত থাকোতে সিঠাইৰ কথা মনত নপৰে যেনিবা দুয়ো ঠাই দুখন বেলেগ জগততহে আছে; ইখন জগতৰ লগত সিখন জগতৰ যেনিবা কোনো সম্বন্ধই নাই।

দুপৰীয়া ভাতপানী খাই উঠি আমি দাক্ষিণাত্যৰ প্ৰধান চাৰিসত্ৰৰ প্ৰসিদ্ধ "তোতাদ্ৰী" মঠৰ স্বামী প্ৰভুৰ ওচৰলৈ গলো। তেখেত তেতিয়া নগৰৰ পৰা এমাইলমান দূৰৈত পুখুৰীৰ সিপাৰে থকা আশ্ৰমত বাস কৰিছিল। সেই মঠৰ হাটিৰ ভিতৰত সোমায়েই মনটো বৰ পবিত্ৰ লাগিবলৈ ধৰিলে। দাক্ষিণাত্যৰ মঠৰ ভিতৰত এই মঠতেই শিষ্যৰ সংখ্যা সৰহ—এই মঠৰ শিষ্য দক্ষিণ ভাৰতত থকাৰ উপৰিও উত্তৰ ভাৰতৰ চুকে কোনে বিয়পি আছে। দেখিলো, অসমৰ বাহিৰে ভাৰতৰ এনে কোনো প্ৰদেশ নাই যৰ শিষ্য এই মঠত পোৱা নেযাব। সেই মঠৰ আশ্ৰমত বহুত কেৱলীয়া ভকত বাস কৰে আৰু সত্ৰাধিকাৰৰ সৈতে

আশ্ৰমবাসী সকলোৱে সম্পূৰ্ণ উদাসীন হৈ থাকে। এই মঠবোৰৰ ভিতৰত সোমালে আমাৰ অসমৰ চাৰিসত্ৰীয়া গোসাই প্ৰভু সকলৰ আৰু সত্ৰৰ কথা ফটফটিয়াকৈ মনত পৰে। মনে হয় যে ইদেশৰ সত্ৰ গঠনৰ আচনিতে সিদেশৰ আচনি কৰা হৈছিল আৰু সেই মতেই মঠ আৰু সত্ৰ স্থাপন হৈছিল। এইবিষয়ে অনুসন্ধান কৰিলে প্ৰকৃত ৰহস্য ওলাই পৰিব। কিন্তু আমি শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জীৱনীৰ পৰা জানিব পাৰো যে তেখেতৰ দীঘলীয়া তীৰ্থ ভ্ৰমণত সেতু বন্ধ ৰামেশ্বৰমৰ নামো উল্লেখ আছে। প্ৰকৃততে যদিহে তেখেতে সেতুবন্ধ ৰামেশ্বৰমলৈ তীৰ্থ যাত্ৰাৰ অৰ্থে গৈছিল তেন্তে তেখেতে মাদ্ৰাজৰ গায়ে ভূঞে, মঠে মন্দিৰে ঘূৰি মিলি চাই তাৰ কিছুমান ভাব লগত লৈ গৈ অসমতো সেই আচনিৰে অলপ সামান্য লৰচৰ কৰি স্থাপন কৰিব পাৰে। ই বেছ সম্ভৱপৰ। কাৰণ, অসমৰ গাৱে ভূঞে, পৰ্ব্বতে ভৈয়ামে, চুকে কোনে য'তে কেঘৰমান অসমীয়া মানুহৰ বসতি আছে ত'তে কীৰ্ত্তন পুথিখনৰে সৈতে এটি সৰু ডাঙৰ নামঘৰো আছে; ঠিক সেই দৰেই দাক্ষিণাত্যৰ গাৱে ভূঞে, চুবাই চুবুৰীয়ে নামঘৰৰ নিচিনা গধূলি সকলোৱে গোট খাই বস্তি জলোৱা একোটি উপাসনা ঘৰ আছে আৰু তাত বিষ্ণুৰ সহস্ৰনাম সদায় কীৰ্ত্তনৰ দৰে থাপনাত ৰখা হয়। তাৰ উপৰিও আমাৰ সত্ৰীয়া ভাৱনাবোৰত যেনেদৰে গায়ন বায়নে ঢোল মৃদঙ্গলৈ আৰু সূত্ৰধাৰীয়ে অঙ্গি ভঙ্গি আৰু নানা মুদ্ৰাৰ সৈতে গোটেই ভাৱনাৰ আদি বৃত্তান্ত প্ৰথমতে নাচ গীতৰ সৈতে দৰ্শকৰ আগত ডাঙি ধৰে ঠিক তেনেকৈয়ে দ্ৰাবিড়ী বিলাকৰ মাজত তেনে ধৰণৰ ধৰ্ম্ম সম্বন্ধীয় ভাও অভিনয় চলে—মাত কথা পোচাক আদি বাদ দিলে মনে হয় যেন অসমীয়া ভাৱনাহে। ইয়াৰ উপৰিও ভাৱনাত পিন্ধা মুখাৰ দৰে মুখা তাত উৎসৱে নাচে সকলো সময়তে ব্যৱহাৰ কৰে। সত্ৰৰ নিয়ম প্ৰণালী ধৰণ ধাৰণ প্ৰায় দুয়ো ঠাইৰে একেই। এইবোৰ দেখিশুনি কোনে নেভাবিব যে ইদেশৰ মানুহৰ লগত সিদেশৰ মানুহ কৃষ্টি' ধৰ্ম্ম আৰু সমাজত দেনা পাওনা, বান্ধোনত আবদ্ধ নহয়। এই বিষয়ে প্ৰত্নতাত্ত্বিক আৰু ঐতিহাসিক পণ্ডিত সকললৈ বৃহৎ আলোচনাৰ কাৰণে পেলাই থৈ আমি আমাৰ ভ্ৰমণ কাহিনীলৈ আহোঁ।

মঠৰ স্বামীমহাপ্ৰভুক দেখা-সাক্ষাৎ কৰিবলৈ পোৱা সকলোৰে কাৰণে সৌভাগ্যৰহে কথা। সেই উদ্দেশ্যৰেই ভাৰতৰ এমূৰৰ পৰা সিমূৰলৈকে সকলো শিষ্য বৰ্গই গৈ স্বামীক দেখা কৰি সেৱা জনায় গৈ। মই তাত নেপাল বঙ্গ' বিহাৰ, যুক্ত প্ৰদেশ, ৰাজপুতনা, হাইদাৰাবাদ, বোম্বাই, পাঞ্জাব আদিৰ পৰা স্বামীপ্ৰভুক দেখা কৰিবলৈ যোৱা বহুত মানুহক লগ পাইছিলো আৰু তাৰ সকলোৰে লগত কথা বাৰ্ত্তাহৈ কোণ ক'ৰপৰা আহিছে তাৰ খবৰ লৈছিলোঁ। দেখা গ'ল ভাৰতৰ প্ৰত্যেক প্ৰদেশৰ পৰাই তাত প্ৰতিনিধি হিচাবে এজন নহয় এজন মানুহ আছে—অৱশ্যে অসম আৰু ব্ৰহ্ম বাদ। কিন্তু সেই সময়ত মোৰ উপস্থিতিয়েই অসমৰ প্ৰতিনিধিত্ব বজাই ৰাখিছিল আৰু সেই কাৰণে মই নিজেই নিজকে ধন্য মানিছিলো। তাতোকৈ মোৰ ই বেছি সৌভাগ্যৰ কথা যে অতি অনায়াসে স্বামীপ্ৰভুৰ দৰ্শন আৰু আশীৰ্ব্বাদ পোৱা মোৰ ভাগ্যত মিলিছিল। তাৰ কাৰণে মোৰ বন্ধু আৰু তাৰে এজন পণ্ডিতৰ ওচৰত মই চিৰ ঋণী। পণ্ডিত জনে মোৰ আগমনৰ বাৰ্ত্তা আৰু দৰ্শনৰ প্ৰাৰ্থনা স্বামীৰ আগত পেচ কৰা মাত্ৰকে স্বামী প্ৰভুৰ ডাক পৰিল মোক ভিতৰলৈ নিবলৈ। ময়ো থৰ কাচুটি হেকৰাই উধাতু খাই লৰা লৰিকৈ আগ বাঢ়িলো অন্তৰৰ এক উদ্দীপনা আৰু এক ভাব যে মোৰ বৰ সৌভাগ্য। মই গৈয়েই দেশাচাৰ আৰু নীতি অনুযায়ী স্বামী প্ৰভুক সাষ্টাঙ্গে প্ৰণাম জনালো আৰু তেখেতৰ আশীৰ্ব্বাদ মূৰপাতি গ্ৰহণ কৰিলো। তাৰ পিছত তেখেতে মোৰ লগত হিন্দিভাষাৰে অনেক কথাৰ আলোচনা আৰম্ভ কৰিলে। মই যি পাৰো হিন্দিতেই উত্তৰ দিলো আৰু মাজে সময়ে কোনো কথা প্ৰকাশ কৰিবলৈ অসুবিধা পালে মোৰ বন্ধুৰ আগত ইংৰাজীৰে কৈ দিয়াত তেওঁ তামিল ভাষাত স্বামী প্ৰভুক বুজায় দিয়ে। এই খিনিতে হিন্দিভাষা ভালদৰে কব নজনাৰ কাৰণে মনে মনে আক্ষেপ কৰিব লগা হৈছিল। স্বামীপ্ৰভুৱে প্ৰথমে আলোচনা কৰিছিল অসমৰ নিয়ম কানুন, আচাৰ ব্যৱহাৰ, ভাষা ধৰ্ম্ম

আৰু সমাজৰ বিষয়ে। তাৰ পিছত অসমৰ বৈষ্ণৱ ধৰ্ম্ম, বৈষ্ণৱ ধৰ্ম্মৰ ভক্তিমাৰ্গ আৰু শ্ৰীশঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্ম্মৰ বিষয়ে আলোচনা। মই মোৰ ক্ষুদ্ৰ জ্ঞান বুদ্ধিৰে যি জানো উক্ত বিষয়ে কলো আৰু যি নেজানো তাক নেজানো বুলিয়েই জনালো। এই ধৰণৰ নানা আলোচনাৰ পিছত তেখেতে মোক কলে যে তেখেতসকলৰ বৈষ্ণৱ ধৰ্ম্মৰ লগত শ্ৰীশঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্ম্মৰ বহুত মিল আছে আৰু তেখেত সকলৰো মূলমন্ত্ৰ অনুযায়ী 'ৰাম নামেই সাৰ।' তেখেতে সেইচলতে মোক মহাপুৰুষীয়া ধৰ্ম্মৰ বিষয়ে ভালদৰে বুজিবলৈ উপদেশ দিলে আৰু তাৰ লগতে শ্ৰীমদ্ভাগবত গীতা আৰু ৰামায়ণ ভালদৰে পঢ়িবলৈ কৈ মোৰ ভ্ৰমণ উদ্দেশ্যত নানা উৎসাহ দি আশীৰ্ব্বাদ কৰিলে। অৱশেষত স্বামীপ্ৰভুয়ে মোক আশ্ৰমতে এদিন থাকি খাই মেলি ভালদৰে চাই যাবলৈ কলে আৰু সেই উদ্দেশ্যৰেই মোক এটা সিধা দিবলৈ পাচনিক আদেশ দিলে। পিচে মই পেটে পেটে নিজে পাক কৰা অসুবিধাৰ প্ৰমাদ গণি মঠৰ সিজোৱা প্ৰসাদকে গ্ৰহণ কৰাৰ ইচ্ছা প্ৰকাশ কৰাত সেইদৰেই ঠিক হ'ল। বিদায় লোৱাৰ আগতে স্বামী প্ৰভুৰ পৰা মই নিজহাতৰ আখৰ দুটিমান শ্ৰীমুখম্ হিচাবে বিচাৰি প্ৰাৰ্থনা জনোৱাত স্বামী প্ৰভুৱে তলত দিয়া শ্ৰীমুখমখন মোক তেতিয়াই লিখি দিলে আৰু তাৰ লগতে মই স্বামীপ্ৰভুৰ ছবি এখনো খুজি আনিলো। সেই দুয়োটা বস্তু মোৰ হাতত এতিয়াও পৱিত্ৰ স্মৃতি হিচাবে আদৰেৰে ৰাখিছোঁ। স্বামীৰ ছবিখন ইয়াৰ লগতে দিয়া হৈছে আৰু শ্ৰীমুখম্খনত সংস্কৃতত এনেদৰে লিখিছে :—

শ্ৰীতোতাদ্ৰীৰামানুজ যতীন্দ্ৰৈঃ

"শ্ৰীমদ্সমস্ত গুণসম্পন্নস্য ভগবতভাগতীবচাৰ্য্যকৈ স্বৰ্গনিস্ত-নিস্তস্য অস্মদৰঙ্গনগৰম্পন্ সন্নিধি মুখ্যান্তৰঙ্গ শিষ্যস্য অস্মদীয় মাধৱ চন্দ্ৰ শৰ্ম্মা (বেজবৰুৱা) ৰামানুজদাসস্য স্বৰূপানুৰূপং ক্ৰিয়মানং মঙ্গলাশাসনম।

.....

"সৎসম্প্ৰদায় শ্ৰবনোচ্ছয়া অতিদূৰতঃ অস্মদ সমীপমাগতো বতো ভবতো দৃষ্টা নিতান্তমেব সন্তুষ্যামো বয়ম্। ইয়চ্ছ ভবতঃ সাত্বিকী বুদ্ধিঃ উত্তৰোত্তৰং পুল্লকিতা ভূমাদি ত্যাশাস্যতে॥

অঙ্গীৰস সং কৃষ্ণ কৃষ্ণ
পঞ্চমী বুধবাৰ
12-10-1107
25-5-1932

[স্বামী মহাপ্ৰভুৰ চহি(অস্পষ্ট)]

স্বামীপ্ৰভুৰ পৰা শ্ৰীমুখম্ আৰু আশীৰ্ব্বাদ লৈ প্ৰণাম জনাই বিদায় ললো আৰু ৰাতিটো সেই উদ্যানময় আশ্ৰমতে অতি প্ৰফুল্ল মনেৰে কটাই আৰু খাই বৈ পিছদিনা মোৰ বাসস্থানত বন্ধুক আহি লগ ধৰিলোগৈ। মঠৰ আশ্ৰমত থকা কাল ডোখৰত মোৰ মনটো এনে পবিত্ৰ আৰু ফৰকাল হেন লাগিছিল যে মনে হৈছিল যেন কোনোৱা দেৱ পুৰীতেহে আছিলো, বাস্তবিকতে সি দেৱপুৰীহে। নাই তাত হিংসা, নাই তাত দ্বেষ, নাই তাত সাংসাৰিক লেঠা—আছে তাত কেবল পবিত্ৰতা আৰু মধুৰতা। এয়েই ভাৰতীয় মঠ-মন্দিৰৰ পবিত্ৰ বতাহ, এয়েই ভাৰতীয় আশ্ৰমৰ মহান আদৰ্শ আৰু এয়েই ভাৰতীয় ধৰ্ম্মগুৰু সকলৰ আৰম্ভ বিহীন উপাদেয় বাসস্থান। যেতিয়ালৈকে এই পবিত্ৰ বতাহৰ বোৱনি, এই মহান আদৰ্শ আৰু উপাদেয় বাসস্থানৰ অস্তিত্ব নাম মাত্ৰ ৰূপেও ভাৰতৰ চুকে কোনে লাগি থাকিব তেতিয়ালৈকে ভাৰতীয় কৃষ্টি আৰু সাধনাৰ চাকি টিমিকি-ঢামক কৈ জ্বলি থাকিব।

আগলৈ—

———

তিনচুকিয়া

কবিতা—

—বায় চৌধুৰী

তিনচুকীয়া ! তিনচুকিয়া ! তিনচুকিয়া ! তিনচুকিয়া !
ভিতৰত মোৰ নাই দেখোঁ একো নামটোহে আছে অসমীয়া।
তাতো যে নিজৰ চিন "চ" ওচি অজীণৰ "ন" হ'ল,
বস, জীব, চুহি শেষ কৰি ললে, বাকলীটো পৰি ৰ'ল।

কোন কু-ৰেনৰ কি অভিশাপত এনে দশা হ'ল তোৰ,
দেখি, শুনি, ভাবি, গুণি, বুকুডৰি জলে জুই কুৰা মোৰ।
ত'য়ে বা কি পাপ কোন কি যুগত আচৰি এহেতা হলি,
নিজৰ জনম-চিন-চাব মছি অজীণৰ চিন্ ললি।

বাটে পথে শুনো নজনা নুবুজা কোন কি জীৱৰ মাত,
তোৰ চোতালত কোন সতে নামি কৰোঁ নো জীৱন শাঁত !
তোৰ বুকুখনি কঁপাই কঁপাই বাজে দন লাখে লাখ,
পুৰা দমে তাতো আনৰ প্ৰভাৱে কৰে মোক পৰিহাস।

হাট বজাৰৰ কিনা বেচা বোৰ আনৰ হাতৰ লাক,
এই জগতত কোন কি দেশৰ এনে দশা আছে বাক।
আনৰ তাপত তোৰ সন্তানে ত্ৰাসত উধাতু খাই,
দুবতো বিদুৰ হৈ আঁতৰিল, আনে ললে সেই ঠাই।

আহিব নে এনে দিন কেতিয়াবা নিজৰ কাছোন লবি,
বুকুডৰি মোৰ অলিৰ, নিজৰ তোৰ মনোমোহা ছবি !

চিকিৎসা জগতত বীজাণুভুক্ (Bacteriophage)

—ডাক্তৰ ঘনশ্যাম দাস এল, এম, পি

বীজাণুভুকৰ নাম আজি কালি সাধাৰণ মানুহে শুনিছে। হাইজা গ্ৰহণী আদিত বহুত গাৱলীয়াই ব্যৱহাৰ কৰিছে। ঘাইকৈ নগাঁও জিলা আৰু হবিগঞ্জ মহকুমাৰ প্ৰায় প্ৰত্যেক গাৱলীয়াই এই বীজাণু ভুক দৰহ দেখিছে। হাইজাত আক্ৰান্ত হোৱা গাওঁবোৰত অসম স্বাস্থ্য বিভাগৰ ডাক্তৰ সকলে আজিও এই বীজাণুভুক বেছিকৈ ব্যৱহাৰ কৰিবলৈ ধৰিছে। কিন্তু সাধাৰণ মানুহৰ কথাই নকওঁ বহুত উচ্চ শিক্ষিত লোকে বীজাণুভুক সম্পৰ্কে বিশেষ একো নাজানে। এই বিষয় কিছু জনোৱাই এই প্ৰবন্ধৰ উদ্দেশ্য।

বহুত বৈজ্ঞানিক আবিষ্কাৰৰ নিচিনা বিজাণুভুক আবিষ্কাৰো বীজাণুবিদ সকলৰ (Bacteriologists) সূক্ষ্ম দৃগ্বীক্ষণ আৰু গবেষণাৰ ফল। গবেষণাকাৰী চিকিৎসক সকলৰ ভিতৰত বীজাণুভুকক লৈ বহুত আলোচনা হব ধৰিছে। কিছুমানৰ বিশ্বাস এই বীজাণু ভুকে এসময়ত হাইজা, বীজাণুমূলক গ্ৰহণী আদিৰ মৰক নিৰ্মূল কৰিব পাৰিব।

হাইজা, গ্ৰহণী, অবাতিসাৰ আদি ৰোগ এক প্ৰকাৰ বীজাণুৰ (Bacteria) পৰা হোৱা বুলি বহুতেই জানে। মানুহৰ শৰীৰত উপযুক্ত আহাৰ পালে বীজাণুবোৰৰ বৃদ্ধি হয়। আৰু সেই বোৰৰ পৰাই সংক্ৰামক আকাৰ ধাৰণ কৰে। মানৱ দেহক বীজাণু বৃদ্ধিৰ প্ৰতিকূল আৰু ধ্বংস কৰিবৰ উদ্দেশ্যে বহুত গবেষণাৰ মূল প্ৰতিষেধক চিকাৰ (Inoculation and vaccination) আবিষ্কাৰ কৰিছে আৰু এই বিষয় এতিয়াও গবেষণা আৰু পৰীক্ষা চলিব ধৰিছে।

১৯১৭ চনত প্যাৰিচত (Prof D. Herelle) ডি হেৰিলে বীজাণুধ্বংসকাৰী এবিধ অতি সূক্ষ্ম জীৱন্ত কণিকাৰ আবিষ্কাৰ কৰি প্ৰাণীতত্ত্ব (Biology) আৰু চিকিৎসা শাস্ত্ৰত এটা নতুন মূল্যবান অধ্যায় বঢ়াইছে। এই কণিকাবোৰ বীজাণুতকৈয়ো নিচেই সৰু। অণুবীক্ষণ যন্ত্ৰৰ সহায়েৰেও মানৱ নোৱাৰি। ডিহেৰিলৰ মতে এই কণিকাবোৰ বীজাণু শৰীৰৰ পৰজীবী (parasite) বীজাণু বৃদ্ধিৰ লগে লগে বীজাণু দেহতেই ইয়াৰ বৃদ্ধি হয় আৰু শেষত অসুকুল অৱস্থা আৰু সুবিধা পালেই বীজাণুক ধ্বংস কৰে। বীজাণু ভক্ষণ কৰে বুলিয়েই এই সূক্ষ্ম কণিকাবোৰক বীজাণু ভুক (Bacteriophage—Bacteria বীজাণু আৰু phago ভক্ষণ।) বোলে।

Prof. D. Herelle ১৯১৭ চনত প্যাৰিচত প্যাষ্টিওৰ ইনষ্টিটিউটত গবেষণাত থকাৰ সময়ত তেওঁ লক্ষ্য কৰে যে বীজাণু মূলক গ্ৰহণীত (Bacillary Dysentery) ভুগি ভালহৈ অহা (Convalscent) অৱস্থাৰ ৰোগীৰ মল যদি এনে ভাবে ছেকিব পাৰি (filtration) যাতে ছেকনীৰ (filter) ভিতৰেদি ক্ষুদ্ৰতম বীজাণুও বাহিৰ হব নোৱাৰে তেনেহলে সেই ছেকাবস্তুত বীজাণুতকৈয়ো নিচেই সৰু এবিধ কণিকা (Corpuscle) ৰবি আছে। সেই কণিকা থকা ৰব (ছেকাজোলৰ) দুই এটোপ অস্বচ্ছ বীজাণু পোহন বসত (Medium) পেলাই দিলে বস লাহে লাহে স্বচ্ছ হৈ যায়। এই স্বচ্ছতাৰ কাৰণেই বীজাণুবোৰ ধ্বংস হয়।

বীজাণু কৃষ্টিৰ (Culture) সাধাৰণ নিয়ম এই যে তৰল পোহন বসত (Medium) বীজাণু পেলালে (sow) বীজাণুৰ সংখ্যা বৃদ্ধিৰ সৈতে পোহনবস (Medium)

বেচি অস্বচ্ছ হয়। বীজাণু ধ্বংসকাৰী কণিকাৰ প্ৰভাৱত বীজানুসমূহ দ্ৰবীভূত (lysed) হয়।

বীজানুধ্বংসৰ লগে লগে এই কণিকাবোৰ সংখ্যাত আৰু শক্তিত আচৰিত ৰূপে বৃদ্ধি পায়। ডি হেৰিলে এই কণিকাসমূহ (Bacteriophage) বীজানুভুক নাম দিয়ে। এই কণিকাবোৰৰ স্বাঙ্গী কৰণ (assimilation) আৰু অনুকুলনৰ (adaptation) ক্ষমতা দেখিয়েই ইহঁত জীৱন্ত বুলি মত প্ৰকাশ কৰে। মঙ্গহৰ ৰস, ডালিৰ ৰস আৰু চীনা ঘাহৰে তৈয়াৰী কৰা পোহন ৰস (medium) এই বীজাণুৰ আহাৰ।

বীজানুদূষীত (Contaminated) ময়লা পানীত বীজাণু দেহৰ পৰজীবী (parasite) বীজাণুভুকও থাকে কিন্তু অনুকুল অৱস্থাৰ অভাৱত জীৱন ধ্বংস কৰিব নোৱাৰে। এই ময়লা পানী এবিধ বিশেষ ক্ষৰণীয় ছেকনীৰ সহায়ত ছেকি ললে ছেকা পানীত কেৱল বীজাণু ভুকেই আহিব। কাৰণ বীজাণুভুক বীজাণুতকৈ সহস্ৰগুণে সৰু। বীজাণুভুক বিশিষ্ট এই পানীৰ দুই এটোপ এটি পাত্ৰত বৰ্দ্ধনশীল বীজাণুৰ মাজত পেলাই দিলে বীজাণুসমূহ দ্ৰবীভূতহৈ পাত্ৰত থকা পোহনৰস (medium) স্বচ্ছ হৈ পৰিব। এই স্বচ্ছৰস অতি শক্তিশালী আৰু সংখ্যাত লক্ষগুণ বৃদ্ধিপ্ৰাপ্ত হয়। বীজণুভুকৰে ভৰা পাত্ৰত বীজানুৰ কোনো অস্তিত্বই নাথাকে। এই পাত্ৰটিৰ পৰা দুই এটোপ ৰসৰ সহায়েৰে দ্বিতীয় আৰু এটা পাত্ৰৰ বীজানু দ্ৰব কৰি (lyse) পুনঃ বীজাণুভুকৰ শক্তি বৃদ্ধি আৰু সংখ্যা বৃদ্ধি কৰা যাব পাৰে। এই দৰে প্ৰক্ৰিয়াটো ধাৰাবাহিক ৰূপে পৰিচালিত হয়। এইটোৱেই বীজাণুভুক দ্বাৰা বীজাণু দ্ৰবীকৰণৰ (lysis) এটা বিশেষত্ব।

সম্প্ৰতি শ্বিলং প্যাষ্টিওৰ ইনষ্টিটিউত (Pasteur Institute) এই অভিনৱ চিকিৎসাৰ পৰীক্ষা হব ধৰিছে।

বীজাণু ভুকৰ ক্ৰিয়া প্ৰথমে মাত্ৰ গ্ৰহণীৰ বীজানু দ্ৰবীকৰণৰ বা ভক্ষণতেই প্ৰকাশ পাইছিল। কিন্তু ক্ৰমে হাইজা' সন্নিপাত জ্বৰ প্ৰভৃতি প্ৰায় সকলো আন্ত্ৰিক বা নাড়ীৰ (Intestinal) বীজাণু আৰু অইন নানাবিধ বীজাণুৰ বিৰুদ্ধেই বীজাণু ভুকৰ শক্তি প্ৰমাণীত হৈছে। বীজাণুভুক্ জীৱন্ত বীজাণুৰ সৈতে একেলগেই থাকে। উপযুক্ত উপায়ে ইহঁতক বেলেগ (Isolate) কৰিব লাগে। ৰোগ মুক্তিৰ লগে লগে ৰোগীৰ অন্ত্ৰত নাড়ীৰ বীজাণু ধ্বংস হয় আৰু বীজাণুভুক্ বৃদ্ধি পায়। এই কাৰণেই আৰোগ্য হব ধৰা (Convalscent) ৰোগীৰ মলত বীজাণুভুক্ থাকে। ইয়াৰ বাহিৰে মূত, পূঁজ আৰু বীজাণু দূষীত পানীত বীজানুভুক্ পোৱা যায়। এই কাৰণেই বীজানু বিদ্ সকলৰ বহুতৰ বিশ্বাস বহুত নদীৰ পানীয়ে বীজাণু ধ্বংস কৰিব পাৰে। ১৮৯৬চনত ভাৰতীয় চিকিৎসা বিভাগৰ হান্‌কিনে, (Hankin) পৰীক্ষা কৰি দেখে যে যমুনাৰ পানী বহুত সময়ত হাইজাৰ বীজাণুক অকৰ্ম্মণ্য কৰি দিয়ে কিন্তু নৈৰ পানীৰ সেই গুণটিৰ বৈজ্ঞানিক তত্বানুসন্ধান কৰিবলৈ তেতিয়া সম্ভৱপৰ হোৱা নাছিল।

বৰ্ত্তমানে বহুতৰ ঠাইত হাইজা আৰু বীজাণু মূলক গ্ৰহণীৰ (Bacillary) এই (Phage) ভুক্ ব্যৱহাৰ হব ধৰিছে।

১৯২৯ চনত শ্বিলং প্যাষ্টিওৰ ইন্‌ষ্টিটিউটত হাইজাৰ বীজাণুভুক আৰু গ্ৰহণীৰ বীজানুভুকক একেলগ কৰি এবিধ সংযুক্ত বীজাণুভুক্ (Combined Bacteriophage) প্ৰস্তুত কৰা হয়। ই হাইজা, গ্ৰহণী ঘাইকৈ বীজাণু মূলক গ্ৰহণী (Bacillary dysentery) আৰু নানাবিধ পেটচলাৰ দৰৱ। ভাৰতত মৌলিক গৱেষণা ৰত বীজাণুবিদ্ আৰু চিকিৎসক সকলৰ তত্বাৱধানত বেলেগ বেলেগ চৰ্কাৰী আৰু বে-চৰকাৰী প্ৰতিষ্ঠান বোৰত (যেনে প্যাষ্টিউৰ ইন্‌ষ্টিটিউউচ্, বেঙ্গল ইমিউনিটি প্ৰভৃতি) এই বীজাণুভুক্ প্ৰস্তুত হব ধৰিছে।

বীজানুভুক্ পৰিষ্কাৰ পানীৰ সৈতে খাব লাগে। কেনো বস্তু খোৱাৰ পিছতেই খালে ইয়াৰ গুণ নিদিয়ে। পেটৰ অম্ল, বা হজমিৰস্ (Gastric juice) বা পিত্তৰ (bile) লগ লাগিলে এই বীজানুভুক্ নষ্ট হৈ যায় সেই

কাৰণে শুদা পেটে ইয়াক খাব লাগে। সুস্থ শৰীৰত ইয়াক ব্যৱহাৰ কৰিলেও কোনো অনিষ্ট নহয়। এই কাৰণে বীজানুভুক্ চিকিৎসা অতি সহজ আৰু সৰ্ব্ব সাধাৰণে চিকিৎসকৰ অনুপস্থিতিতো ব্যৱহাৰ কৰিব পাৰে। বীজাণুভুক্ এবাৰ প্ৰস্তুত হলে বহুতদিনলৈকে তাৰ গুণ থাকে। বেছি তাপ পালে (৭৫৯ চেণ্টিগ্ৰেড বা তাতকৈ বেছি) ই সোনকালেই নষ্ট হৈ যায়।

বীজানুভুকৰ আবিষ্কাৰৰ লগে লগে বীজাণুবিদৰ অনেকে মত প্ৰকাশ কৰে যে, বীজাণুভুকেই মানৱ দেহৰ বীজাণু ঘটিত ব্যাধিশালৰ স্বাভাৱিক কাৰণ। ৰোগৰ সময় ঘাইকৈ অন্ত্ৰসম্বন্ধীয় (intestinal) ৰোগত ব্যাধিজনক (Pathogenic) বীজাণু আৰু ইহঁতৰ শত্ৰু বীজাণুভুক্ নিজ নিজ প্ৰভুত্ব বিস্তাৰৰ কাৰণে তুমুল যুদ্ধ আৰম্ভ কৰে। এই সংগ্ৰামত বীজানুভুক্-দ্বাৰা বীজাণু পৰাভূত আৰু বিনষ্ট হলেই ৰোগী স্বাভাৱিক উপায়েৰে ৰোগ মুক্ত হয়। সংক্ৰামক ব্যাধিৰ মৰকৰ (epidemic) উত্থান-পতনৰ মূলত বীজাণু আৰু বীজাণু ভুকৰ এই সংগ্ৰাম। শক্তিশালী বীজাণুভুক ভালহৈ অহা ৰোগীৰ মলৰ সৈতে যিমান সোনকালে চাৰিওফালে বিয়পি পৰে তিমান সোনকালে মৰকো দূৰ হয়।

গাওঁ বা চহৰত কোনো কোনো মানুহৰ ৰোগৰ সৈতে প্ৰথম হাইজাৰ বীজাণু আমদানী হয়। ৰোগীৰ মল ইত্যাদিৰ পৰা খোৱা পানী আৰু খাদ্যৰ জৰীয়তে হাইজাৰ বীজাণু চাৰিওফালে বিয়পি পৰি ৰোগ সংক্ৰামক ৰূপে দেখা দিয়ে। যি ৰোগীৰ অন্ত্ৰত (Intestine) বীজাণুভুক অনুপস্থিত বা অন্ত্ৰস্থ বীজাণু-ভুক নিস্তেজ অৱস্থাত থাকে সেই ৰোগীয়েই মৃত্যুমুখত পৰে। এনে ৰোগীৰ সংখ্যাই বেছি। কোনো কোনা ৰোগীৰ অসুস্থ বীজাণুভুক অপেক্ষা কৃত শক্তিশালী অৱস্থাত থাকে আৰু কলেৰা বীজাণু ধ্বংস কৰি অন্ত্ৰতেই (Intestine) সংখ্যাত আৰু শক্তিত বৃদ্ধিপ্ৰাপ্ত হয়। এই সকল ৰোগীয়েই ক্ৰমশঃ আৰোগ্য লাভ কৰে। এনে আৰোগ্য হৈ আহিব ধৰা ৰোগীৰ মলৰ সৈতে হাইজাৰ বীজাণুৰ সলনি বীজাণুভুকেই বাহিৰ হয়। আৰু যি যি উপায়ে বীজানু বিস্তৃত হয় সেই সেই উপায়ে বীজাণুভুক চাৰিওফালে বিয়পি পৰে আৰু খোৱা পানী আৰু খাদ্যৰ সৈতে মানুহৰ পেটতো (অন্ত্ৰত) যাব পাৰে। প্ৰথমে যেতিয়াই হাইজাৰ বীজাণু চাৰিওফালে বিয়পি পৰে তেতিয়াই মৰকৰ উত্থান হয় আৰু শেষত বীজাণুভুকৰ বিস্তাৰ হোৱাৰ লগে লগে এই মৰকৰ (epidemic) পতন হয়।

এই পৰ্য্যবেক্ষণৰ ওপৰতে বীজাণুবিদ সকলে প্ৰমাণ কৰিছে যে কোনো গাওঁ বা চহৰৰ হাইজাৰ ৰোগী সকলক প্ৰথম অৱস্থাত বীজাণুভুকৰ দ্বাৰা চিকিৎসা কৰিলে সেই গাওঁত হাইজা বিস্তাৰৰ আশঙ্কা নাথাকে। দৰৱ ৰূপে গৃহীত বীজাণুভুক ৰোগীৰ অন্ত্ৰত (intestine) সংখ্যাত আৰু শক্তিত বৃদ্ধি পাব, ৰোগী নিজে আৰোগ্য হৈ আহিব আৰু তাৰ ফলৰ সৈতে হাইজা নিবাৰণতো সহায় কৰিব। (D. Herelle.) ডি, হেৰিল, আৰু এই বীজানুভুকৰ পৰ্য্যবেক্ষণ কৰা বীজাণুবিদৰ বিশ্বাস, এনে বীজাণুভুক হাইজা পেটচলা আৰু বীজাণু মূলক গ্ৰহণী আৰোগ্য আৰু ইহঁতৰ সংক্ৰামক নিবাৰণ কৰে।

৫২৭৭/অ:

১৯২৩ চনত ব্ৰাজিলত (Brazil) ১৯২৫ চনত চুদানত (Sudan) স্বাস্থ্যবিভাগৰ দ্বাৰা এই বীজাণুভুকৰ কাৰ্য্যকাৰিতাৰ বিষয়ে পৰীক্ষা হয়। ১৯২৬ চনত ভাৰতবৰ্ষত বীজাণুভুক চিকিৎসা বিষয়ে পৰীক্ষা আৰম্ভ কৰে। ১৯২৬।২৭ চনত ভাৰতৰ বীজাণুভুক আবিষ্কাৰক ডি হেৰিলৰ তত্বাৱধানত হাইজা ৰোগত বীজানুভুকৰ চিকিৎসা সম্বন্ধে এটা পাঞ্জাৱত তত্বানুসন্ধান আৰম্ভ হয়। তেতিয়া পাঞ্জাৱৰ হাইজা মৰকৰ মৃত্যুহাৰ শত কৰা ৬০ আছিল। বীজানুভুক চিকিৎসাৰ দ্বাৰা সেই মৃত্যুহাৰ শতকৰা ১৮ লৈকে কমাব পৰা বুলি কৈছে, এই বিষয়ে নিয়মিত গৱেষণা আৰম্ভ হয় আৰু এই গৱেষণাত পাটনাত ডাঃ আশেষভ (Dr.I.W. Asheshov আৰু শ্বিলঙৰ প্যাষ্টিওৰ ইনষ্টিটিউটৰ ভূতপূৰ্ব্ব ডিৰেক্টৰ লেফটেনাণ্ট কৰ্ণেল মৰিচনৰ (Lt. col. J. Morison) তত্বাৱধানত পৰিচালিত হয়।

১৯২৮ চনত জানুয়ারীৰ পৰা ১৯৩৫ জানুয়ারী লৈকে লিখকে কলেৰা ভিউটিত ফুৰোতে এই বীজাণুভুকৰে বহুত হাইজা ৰোগী চিকিৎসা কৰি পৰীক্ষা কৰিবলৈ সুবিধা পায়। সৰভোগ, উৱালকুচি, পাণু ওৱালপাৰা কাছাড় আৰু খাচিয়া পাহাড়ৰ বহুত ঠাইত লিখকে এই বীজাণুভুকৰ কাৰ্য্যকাৰিতাৰ বিষয়ে বিশেষ ভাবে পৰীক্ষা কৰি চাইছে। এই পৰীক্ষাৰ ফল লিখকে খুব সন্তোষজনক বুলি কব নোৱাৰে অৱশ্যে বীজাণুমূলক গ্ৰহণীত (Bacillary dysentery) অইন চিকিৎসা বীজাণুভুক চিকিৎসা অপেক্ষাকৃত ভাল বুলি বহুত ঠাইত লিখকে প্ৰমাণ পাইছে।

১৯২৯ চনত খিলং প্যাস্তিওৰ ইনষ্টিটিউটৰ ডাক্তৰ খাচিয়া পাহাড়ৰ কিছুমান ঠাইত বীজাণুভুক চিকিৎসা কৰি খুব সন্তোষ জনক ফল পোৱা বুলি কৈছে।

অসমত উপযুক্ত ডাক্তৰৰ তত্ত্বাবধানত চাহ বাগিছাত বীজাণুভুক চিকিৎসা পৰীক্ষা হব ধৰিছে ফলাফল এতিয়া জানিবলৈ পোৱা নাই।

খিলং প্যাস্তিওৰ ইনষ্টিটিউটৰ গবেষণা বিভাগে অসমৰ ভিতৰত নগাওঁৰ আৰু হবিগঞ্জ মহকুমাত বীজাণুভুকৰ কাৰ্য্য কাৰিতাৰ সম্বন্ধে ১৯২৯ চনত এটা বিশৰ পৰীক্ষা হাতত লয়। এই দুই ঠাইতেই বহুবে প্ৰায় দুবাৰকৈ হাইজা ৰোগে দেখা দিয়ে। ব্ৰহ্মপুত্ৰত পৰা কলঙনৈৰ পাৰত থকা নগাওঁ জিলা আৰু কুছিয়াৰৰ মৰা শাখাৰ পাৰত থকা হবিগঞ্জ মহকুমাত গাওঁবুঢ়া আৰু চৌকীদাৰৰ হাতত বীজাণুভুক খুৱাৰৰ উপদেশ দি বিলাই দিয়া হয়। হাইজা গ্ৰহণী বা পেটচলা সংবাদ পোৱা মাত্ৰকে খুৱাবলৈ দিয়া হয়। এতিয়া লৈকে নগাওঁ জিলাত হাইজা কেবা বছৰো হোৱা নাই বুলি আৰু হবিগঞ্জতো এই বীজাণুভুক পৰীক্ষা চলাৰ পৰা হাইজাৰ হাত বহুবে বহুবে সাৰি যাব লাগিছে বুলি প্যাস্তিওৰ চৰকাৰী বিপোৰ্টত প্ৰকাশ পাইছে। মোৰা ডিচেম্বৰ মাহত নগাওঁৰ কলঙৰ পাৰত হাইজাই দেখা দিছিল। হবিগঞ্জতো একে সময়তে কমভাবে হাইজাৰ মৰক হোৱা বুলি খৰৰ পোৱা গৈছে।

১৯৩২ চনত শিৱসাগৰ জিলাৰ হাইজা মৰকৰ সময় এই বীজাণুভুক চিকিৎসাৰ পৰীক্ষা কৰাত দেখা যায় যে যি ঘৰত প্ৰথমে ৰোগী বীজাণুভুকৰ দ্বাৰা চিকিৎসা হয় সেই ঘৰত মানুহৰ আক্ৰান্ত হোৱাৰ আশঙ্কা অপেক্ষা কৃত কম থাকে।

ভাৰতবৰ্ষত বহুত চিকিৎসকৰ মত এতিয়াও বীজাণুভুক সম্পৰ্কে সন্তোষ জনক নহয়। অসমতো ডাক্তৰ সকলৰ এই বিষয়ে বহুত মতভেদ দেখা যায়।

ভাৰতৰ প্ৰতি বছৰে ৩ লক্ষৰ পৰা ৩॥ লক্ষ লোক গ্ৰহণীতে মৰে। ১৯১৯ চনত অসমত হাইজাত ৩৩, ৯৮০ জনৰ মৃত্যু হয়। ১৯২৮ চনৰ পৰা ১৯৩১ পৰ্য্যন্ত প্ৰতি বছৰে এই ৰোগত অসমৰ বছৰে ৫৫, ••• পৰা ৭,••• লোক মৃত্যু হৈছে। পৃথিবীৰ ভিতৰত ভাৰতবৰ্ষত হাইজাৰ প্ৰাদুৰ্ভাৰ বেছি। হাইজাত প্ৰতি বছৰে ২লক্ষৰ পৰা ১০ লক্ষ মানুহৰ মৃত্যু হয়।

বীজাণুভুকৰ দ্বাৰা হাইজা আৰু গ্ৰহণী নিৰ্ম্মূল কৰিব পৰা হলে বা মৃত্যুহাৰ কমাব পাৰিলে ভাৰতৰ পক্ষে এটা মহা উপকাৰ হয়। ডি হেবিলৰ এই চেষ্টা কৃতকাৰ্য্য হব বুলি আশা কৰিলোঁ।

ভক্তিমার্গ

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

(৫)

নাৰদে কৈছে, নিৰ্ম্মল ভক্তি লাভ কৰিবৰ হলে "দুঃসঙ্গ সৰ্ব্বথৈব ত্যাজ্যঃ।" আমাৰ শঙ্কৰদেৱে কৈছে—"মহন্ত সঙ্গ সিটো লৈবে প্ৰথমত।" দূষিত জনৰ সঙ্গত স্বভাৱ দূষিত হয়; এই বাবে ভক্তিলাভেচ্ছুৱে প্ৰথমতেই দুঃসঙ্গ পৰিত্যাগ কৰা উচিত। অসৎ সঙ্গত—

"স্ত্ৰী মদ্য মাংস সেৱাৰ কথা।
কৈ নৰে কৰে জন্মৰ বৃথা॥" (শঙ্কৰদেৱ)

এইবাবেই ভক্তৰ ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা,—

"আন একো কাম নামাগো তোমাৰ,
দূৰত সঙ্গত থৈয়ো।" (ঘোষা)

হবিভক্তি লাভৰ মুখ্য উপায় সৎসঙ্গ। এই সৎসঙ্গকে শ্ৰীমদ্ভাগৱতত উপায়ৰ ভিতৰত শ্ৰেষ্ঠতম বুলিছে। এই ভাগৱতৰ পৰা এই সৎসঙ্গতে শ্ৰীশঙ্কৰ গুৰুৱে তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ প্ৰণালীত গ্ৰহণ কৰি তাক শ্ৰেষ্ঠ স্থান দিছে। কাৰণ, কাম, ক্ৰোধ, লোভ, মোহ, স্মৃতিভ্ৰংশ, বুদ্ধিনাশ সৰ্ব্বনাশৰ কাৰণে। কুসঙ্গীৰ কুকথা আৰু কু আদৰ্শত মানুহৰ ইন্দ্ৰিয় ভোগ বাসনা প্ৰবল হয়। কুসঙ্গীৰ পৰামৰ্শ আৰু আহিত বিষয়-বাসনা বৰ্দ্ধিত হয়। এই বাবেই গীতাত লেখিছে :—

ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে॥
ক্ৰোধাদ্ভবতি সম্মোহঃ সম্মোহাৎ স্মৃতি বিভ্ৰমঃ।
স্মৃতি ভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি॥

নাৰদে এই বাবে তেওঁৰ ভক্তি সূত্ৰত কৈছে :—

"কস্তৰতি কস্তৰতি মায়াম্? যঃ সঙ্গং ত্যজতি যো মহানুভাবং সেবতে যো নিৰ্ম্মমো ভবতে।"

অৰ্থাৎ কোনে মায়াৰ হাতৰ পৰা নিস্তাৰ পায়? যি দুঃসঙ্গ পৰিত্যাগ কৰে, যি মহানুভবৰ সেৱা কৰে, আৰু যি নিৰ্ম্মম হয়।

ঘোষাত মহাপুৰুষে কৈছে—ভক্তই এইবাবেই—

"দেখয় বিষয়-সুখ বিষ্ঠাৰ সদৃশ।"

শ্ৰীকৃষ্ণই গীতাত অৰ্জ্জুনক উপদেশ দিছে—

"ত্ৰৈগুণ্যা বিষয়া বেদা নিস্ত্ৰৈগুণ্যো ভবাৰ্জ্জুন।"

আনকি ঈশ্বৰত একান্ত ভক্তি যুক্ত জনৰ নিজৰ জীৱন যাত্ৰাৰ চিন্তাৰো আৱশ্যক নাই।—

"ভোজনাচ্ছদনে চিন্তাং বৃথা কুৰ্ব্বন্তি বৈষ্ণবাঃ।
বিশ্বম্ভৰো গুৰুৰ্যেষাং কি দাসান্ সমুপেক্ষতে॥"

যি গোটেই বিশ্ব প্ৰাণীক খাবলৈ দিছে, তেওঁ নিজৰ দাসক কি উপেক্ষা কৰিব পাৰে? কিন্তু এই খিনিতে এটা ঘাই কথা আছে;—তেওঁৰ দাসৰ নিচিনা কাময়নো-বাক্যে দাস হব পাৰিব লাগিব তেহে। তেওঁত সৰ্ব্বতোভাৱে আত্মনিবেদন কৰিব লাগিব। পদ্মমৎস্য দেৱে এটা উদাহৰণ দি কৈছিল। এজনী মাকে দুটা লৰা লগত লৈ এঠাইলৈ গাৰুতে ৰৱটোৱে আথুনি লৰি মাকৰ লগত গৈছিল। সকটোৱে সেইদৰে যাব নোৱাৰি মাকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিছিল দেখি মাকে তাক হাতত ধৰি লৈ গৈছিল। প্ৰকৃত বৈষ্ণৱে ঈশ্বৰক কিনা গোলাম হবলৈ আকাঙ্ক্ষা কৰে। তেওঁৰ প্ৰাৰ্থনা,

"মোক কিনা হৰি! মোক কিনা কিনা।
আন ধন নালাগয় নাম ধন বিনা॥"

নিস্ত্ৰৈগুণ্য হবৰ উপায়—কৰ্ম্মৰ ফল নিজৰ ভোগৰ নিমিত্তে কামনা নকৰি, তাক ঈশ্বৰত সমৰ্পণ কৰিব। তাৰ পিছত ঈশ্বৰত ৰতি আৰু ঐকান্তিক ভক্তি হলে, কৰ্ম্মানুষ্ঠানো পৰিত্যাগ কৰিব। প্ৰথমতে সেই দেবি চিত্ত শুদ্ধিৰ নিমিত্তে কৰ্ম্মৰ বিধান আছে।

"তাবত কৃষ্ণৰ ভক্ত নহে ভক্তি অবিৰোধী কৰ্ম্ম কৰে,
কৃষ্ণৰ কথাত ৰতি যদে নোপজয়।
যাৰে হৈল কৃষ্ণকথাত নিত্য নৈমিত্তিক আদি মত
কথাৰ বিৰোধী জানিয়া সবে ত্যজয়॥" (ঘোষা)
"বেদানপি সন্ন্যস্যতি কেবলবিচ্ছিন্নানুৰাগং লভতে।
(নাৰদ)

যেতিয়া ভক্তৰ কৃষ্ণকথাতেহে মাত্ৰ ৰতি হয় অৰ্থাৎ ঈশ্বৰৰ কথাৰ বাহিৰে তেওঁৰ জীৱনত আন একোতে স্পৃহা নাথাকে, তেতিয়া তেওঁ বিৰক্ত অৱস্থাত উপনীত হয়। সেই অৱস্থাত বেদবিহিত অনুষ্ঠান আদি পাৰ হৈ যায়; তেওঁৰ অন্তঃকৰণত ভগবৎসত্তাৰ অনুৰাগ নিৰবচ্ছিন্ন ভাৱে ৰবলৈ ধৰে সেইদেখি ঘোষাত মহাপুৰুষে লেখিছে—

"অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা হৈৰেক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণত ভকত ভৈল
তাৰ একো নাহিক নির্ণয়॥"

এনে অৱস্থা প্ৰাপ্ত হলেই সেইজন তৰি যায়।
নাৰদে সেইদেখি কৈছে :—
"স তৰতি স তৰতি, স লোকাংস্তাৰয়তীতি।"

অৰ্থাৎ তেৰেঁই তৰে, তেৰেঁই তৰে, আৰু সকলোকে তৰায়। এই বাবেই নৃসিংহই প্ৰহ্লাদক কৈছে :—

'যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।
কীট পতঙ্গকো তথা কৰয় পৰিত্ৰ॥
নকৰে প্ৰাণিক হিংসা নাহি একো স্পৃহা।
আমাত অৰ্পণ কৰে আপোনাৰ দেহা॥"

এনে ভক্ত পুত্ৰৰ পুণ্যত তাৰ একৈশ পুৰুষ উদ্ধাৰ হয়।—"পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ।
একৈশ পুৰুষ তাৰ কৰিলি উদ্ধাৰ॥" (কীৰ্ত্তন)

"শুভমস্তু"

গল্প— —শ্ৰীযুত ত্ৰৈলোক্য নাথ গোস্বামী এম-এ

সুন্দৰ আশ্ৰমখনি, ব্ৰহ্মপুত্ৰৰ ঠিক পাৰতে। সমুখত পুণ্যতোয়া ব্ৰহ্মপুত্ৰ দীঘ ৰিবভাবে সমুদ্ৰৰ অভিমুখে গতি কৰিছে। দিন নাই ৰাতি নাই ই অবিৰাম বৰ লাগিছে সাগৰ উদ্দেশ্যে কৰে। পশ্চিম আকাশত ডাৰ বঙা ৰবণৰ সাজপাৰ পিন্ধি সূৰ্য্যদেৱে মেঘৰ আঁৰত লুকাভাকু খেলিব ধৰিছে। ডেকা সাধক ভবানন্দই নদীৰ তীৰত উদাসীন ভাবে থিয় হৈ মনতে কিবাকিবি ভাবি আছে। হঠাৎ পশ্চিম দিগন্তৰ পিনে তেওঁৰ চকু পৰিল; তেওঁ একান্ত চিত্তে চাই থাকিল এই অপূর্ব্ব সান্ধ্য জেউতিলৈ; মনত প্ৰশ্ন উঠিল এই দিগন্তৰ সিপাৰে জানো আৰু এনে অলেখ সংসাৰ আছে আৰু সেইবোৰতো জানো এইদৰে দিনৰাতি, সুখ দুখ, আপদ বিপদ বৰ্ত্তমান? ভগবানৰ এই মহৎ সৃষ্টিৰ অৰ্থ কি? তেওঁবা ক'ত থাকে? নাইবা এই অপূর্ব্ব জেউতিয়েই জানো ভগবানৰ স্বৰূপ জেউতি? ভাবি ভাবি তেওঁ একো নাপালে। তেন্তে কি এই আটাইবোৰেই প্ৰকৃতিৰ নীতি নে এই প্ৰকৃতিয়েই পৰিদৃশ্যমান ভগবানৰ? সাধকৰ মনত অলেখ প্ৰশ্ন উঠিল আৰু এটা এটাকৈ মাৰ যাব ধৰিলে। ভাবি যেন তেওঁৰ বিৰক্তি লাগিল। "কাতৰ কান্তা কন্তে পুত্ৰঃ। সংসাৰোঽয়মতীব বিচিত্ৰঃ॥"

বিচিত্ৰ সংসাৰৰ বিচিত্ৰ লীলাখেলা সকলো সপোন আমি এক বিৰাট ভ্ৰম বা সপোনৰ মাজত পৰি আছোঁ। জীৱনৰ প্ৰাৰম্ভৰে পৰা অন্তলৈকে এটা দীর্ঘকাল স্থায়ী

সপোন--আমাৰ কাৰ্য্যকলাপ, আমাৰ যত্ন চেষ্টা, সকলো সপোনত কৰা কামৰ নিচিনা ক্ষণস্থায়ী, ভিত্তিশূন্য—এক সত্য সুন্দৰ হৈছে জগতৰ চৈতন্যস্বৰূপ পৰমব্ৰহ্ম।

সাধকে সেই পৰমব্ৰহ্মৰ কল্পিত মূৰ্ত্তি মনতে ভাবি অন্তৰত অনি থকা দাকণ আবেগৰ তৃপ্তি সাধন কৰিবলৈ চাইছিল কিন্তু তাতো তেওঁৰ মনত সান্ত্বনা নাছিল। হাজাৰ চেষ্টা কৰিও তেওঁ এই সংসাৰ বা এই দুৰ্ল্লভ মনুষ্য জন্মক সপোন বুলি স্থিৰ কৰিব নোৱাৰিলে। মানুহৰ অন্তৰত থকা মৰম-স্নেহ, প্ৰীতি ভালপোৱাও যদি অলীক পদাৰ্থ হয় তেন্তে ভগবৎ ভক্তিও নিষ্ফল, কিয়নো একে আন্তৰিক বস্তুৰে এটাক অসত্য আৰু আনটোক সত্য বুলি প্ৰতিপন্ন কৰাটো তেওঁৰ মনে মানি লব নুযুজিলে।

সাধকে মনৰ সন্দেহ দূৰ কৰিব নোৱাৰিলে। তেওঁ হতাশ মনেৰে লাহে লাহে পানীৰ ওচৰলৈ নামি গ'ল আৰু হাত মুখ ধুই কমণ্ডলুত পানী ভৰাই আকৌ পাৰলৈ উঠিল।

আজি তেওঁ সাধক, সংসাৰ বিৰাগী কিন্তু তেওঁ সঁচা কৈয়ে সংসাৰৰ মায়া এৰিব পাৰিছেনে? এদিন ঠিক এনে সময়তে এই ব্ৰহ্মপুত্ৰৰ বুকুতে তেওঁ প্ৰথমতে এজনক হিয়া উবুৰিয়াই কত কি কথা কৈছিল। আজি সেইজন ক'ত? এই প্ৰশ্ন যেন তেওঁৰ মনত অতি পুৰণি। ই যেন আজি অতীত, সংসাৰৰ আনন্দ সম্ভোগো যেন আজি তেওঁৰপৰা বহুতো আঁতৰত। সেইবোৰ যৌবনৰ প্ৰথম অৱস্থাৰে কথা। কিন্তু তাৰ স্মৃতি আজিও তেওঁৰ অন্তৰত ইমান প্ৰবল কিয়? আজি সুদীর্ঘ তিনি বছৰকাল সেই স্মৃতি মনৰপৰা আঁতৰাও বুলি ভগবন্তৰ চৰণত নিজৰ জীৱন অৰ্পণ দি তেওঁ ইমান চেষ্টা কৰিছে কিন্তু আজিও সেই প্ৰাচীন ভাববোৰ আহি কেউ চুকৰে পৰা তেওঁৰ মনত দুন্দিয়ায় কিয়?* * *

সাধকে ডাঙৰ ডাঙৰ কৈ ভগবানৰ নাম কেবা বাৰো উচ্চাৰণ কৰিলে আৰু জলপূর্ণ কমণ্ডলু হাতত লৈ আশ্ৰমলৈ উভতি আহিল।

আশ্ৰমলৈ আহিয়েই গুৰুদেৱ শ্ৰীমৎ প্ৰেমানন্দ স্বামীৰ তীক্ষ্ণ চকুজুৰি দেখিবলৈ পাই ভবানন্দৰ অলপ বিমোৱত পৰিল। স্বামীজিয়ে খণ্ডেৰে ভবানন্দৰ পিনে চাই সুধিলে "ভবানন্দ, আশ্ৰমৰ দুলবিলাকত আজি পানী দিয়া হৈছেনে?"

ভবানন্দ নিমাতে থাকিল। তেওঁক নিৰুত্তৰ দেখি স্বামীজিৰ খং দুগুণে চলিল। চকুৰাই তেওঁ কৰলৈ ধৰিলে "ভবানন্দ, তুমি আশ্ৰম বৃত্তিৰ বাবে বিশেষ মনোযোগ দিয়া নহই এদিনো দেখা নাই। তুমি সদায় এনে ভাবে চলিলে মই তোমাক এই আশ্ৰমত ৰখা টান হব।"

ভৱানন্দই গুৰুদেৱক এটি সেৰা জনাই কলে "মোক ক্ষমা কৰক। আশ্ৰমৰ হবিণাপোৱালিটো নদীৰ পাৰে পাৰে দৌৰি গৈছিল, তাক ওভোতাই আনোঁতে মোৰ ভালেখিনি পলম হল। সেইবাবে আজি আশ্ৰমৰ দুলত পানী দিব নোৱাৰিলোঁ।" গুৰুদেৱৰ খঙৰপৰা হাত সাবিবৰ নিমিত্তে ভবানন্দই এটা অনিষ্ট নকৰা মিছা কোৱাত বাহিৰে অইন একো উপায় নাপালে।

ভবানন্দৰ এই কথাত গুৰুদেৱ অলপ সন্তুষ্ট হোৱা যেন দেখা গল কিয়নো তেওঁ ভবানন্দক আকৌ উদাই যুবাই প্ৰশ্ন নকৰি "অৰ্দ্ধোদয় যোগ উপলক্ষে আমাৰ ৰাতি পুৱাতে গঙ্গাটৈ যাত্ৰা কৰা হব। তুমিও ওলাবা।" এই বুলি কৈ তেওঁ গধূলি সন্ধ্যাৰ বাবে প্ৰস্তুত হবলৈ উঠিল।

পিছদিনা পুৱাতে শ্ৰীমৎ প্ৰেমানন্দই লগত ৫জন শিষ্যৰে সৈতে গঙ্গাস্নানৰ বাবে যাত্ৰা কৰি বহু জনতাৰ মাজেদি অতি কষ্টেৰে গাৰীত উঠিলহি। দুদিন গাৰীৰে যোৱাৰ পিছত তেওঁলোকৰ ভ্ৰমণৰ ওৰ পৰিল আৰু সকলোৱে গাৰীৰ পৰা নামি এজোপা ডাঙৰ গছৰ তলত আশ্ৰয় ললেগৈ।

পিছদিনা অৰ্দ্ধোদয় যোগ উপলক্ষে স্নান। ৰাতি পুৱাও নৌপুৱাতেই ঘাটৰ ওচৰত বিৰ বিৰ বাট পাৰলৈ নাইকীয়া হৈছে। অলপ অলপ কৈ বেলি হৈ অহাৰ লগে লগেই কেউপিনৰ পৰা হাজাৰ হাজাৰ মানুহ আহি ভৰি পৰিল আৰু যাত্ৰী সকলৰ, বাৰসায়ীৰ মগনীয়াৰ চিঞৰ বাখৰত

ঠাইখন মুখৰিত হৈ উঠিল। লক্ষ যাত্ৰীয়ে গঙ্গাৰ পৱিত্ৰ সলিলত স্নান কৰি নিজেই পবিত্ৰ অনুভৱ কৰিলে। শ্ৰীমৎ প্ৰেমানন্দ আৰু তেওঁৰ শিষ্যবৰ্গয়ো গঙ্গাত যথাবিধি স্নান তৰ্পণ আদি শেষ কৰি পাৰত ইফালে সিফালে ঘূৰি চাই ফুৰি আছে। নদীৰ পাৰত অসংখ্য ভিখাৰী আৰু ভিখাৰিনী। সিহঁতে শাৰী শাৰী হৈ এমুঠি খুদকণ বা এটি পইছালৈ যাত্ৰীসকলক কাতৰ কাকুতি কৰিব ধৰিছে। মাজে সময়ে যাত্ৰীৰপৰা এটি মগনীয়াই এটি পইছা বা এমুঠি চাউল পালে ওচৰৰ কেইটাৰ তাৰ প্ৰতি ঈৰ্ষাৰ চাহনি লগতে দাতাৰ প্ৰতি আগ্ৰহ দৃষ্টি আৰু একো নাপালে ক্ষণেকৰ বাবে কালিমাসনা মুখ দেখিলে বাস্তবিকতে দুখ লাগে।

শ্ৰীমৎ প্ৰেমানন্দ স্বামীয়ে শিষ্যবৰ্গক পিছত লৈ ভিখাৰী ভিখাৰিণীৰ শাৰীৰ মাজত সুমাই সিহঁতৰ দুজন এজন বা দুজনী এজনীক অলপ অলপ চাউল দি আহি আছে। এইদৰে আহি থাকোঁতে স্বামীজীৰ হাতৰপৰা আগ্ৰহেৰে এমুঠি চাউল হাতত লোৱা এজনী ভিখাৰিণীৰ প্ৰতি ভবানন্দৰ চকু পৰিল। ভিখাৰিণীৰ কানি কাপোৰ ফটাছিটা। কিন্তু তাইৰ মুখখন প্ৰায়েই ওৰণীৰে ঢকা। তাইৰ কোলাত এটি শিশু। সেই গোলমালৰ মাজতো নিশ্চিন্তে টোপনি যাই আছে। ভিখাৰিণীক দেখা মাত্ৰেই ভবানন্দৰ বহুত কথা মনত পৰিল। তেওঁৰ অন্তৰত জলি থকা স্মৃতি দুগুণে জলি উঠিল। অন্যমনস্ক ভাবে তেওঁ কিছুসময় গুৰুদেৱৰ পাছে পাছে গৈ অৱশেষত ইচ্ছা কৰিয়েই বিৰাট জনতাৰ মাজত গুৰুদেৱক এৰি সেই ভিখাৰিণীৰ ওচৰলৈ আহিল আৰু দুবাৰমান সেই শাৰীয়েদি অহা যোৱা কৰি শেহত বিমৰ্ষ মনেৰে আগৰ গছজুপিৰ তলত অকলে বহি বহি নানান কথা ভাবিবলৈ ধৰিলে।

বিৰাট জনতাৰ মাজত ভবানন্দ কলৈ গল শ্ৰীমৎ প্ৰেমানন্দ স্বামীয়ে একো কব নোৱাৰিলে। কিছুসময় তেওঁলোকে ভবানন্দক ইফালে সিফালে বিচাৰ কৰি অৱশেহত সেই গছৰ তললৈ গল। গুৰুদেৱে ভবানন্দক তেনে অৱস্থাত দেখা পাই অতি আচৰিত হৈ সুধিলে "ভবানন্দ, তোমাৰ কি হৈছে? তুমি এনেকৈ আছা কিয়?"

বিনীত হৈ ভবানন্দই উত্তৰ দিলে "মোৰ শৰীৰ অসুস্থ গুৰুদেৱ। মূৰৰ বিষত তত নাপাই ইয়াত আশ্ৰয় লৈছোঁ।"

পৰিশ্ৰম আৰু উপবাসৰ পৰা ভবানন্দৰ তেনে হব পাৰে বুলি ভাবি প্ৰেমানন্দ স্বামীয়ে ভবানন্দক বিশ্ৰাম কৰিবলৈ কৈ নিজে 'ধ্বনি'ৰ ওচৰত বহিল। * * *

সাজ লাগিল। ঘাটত মানুহৰ সংখ্যা ক্ৰমে ক্ৰমে কমি আহিবলৈ ধৰিলে। অলপ ৰাতি হোৱাৰ লগে লগেই বেছিভাগ মানুহ তাৰপৰা দিহাদিহি গুচি গল আৰু দিনৰ অনুপাতে নিশেই কম সংখ্যক মানুহেহে ৰাতিলৈ তাতেই থকাৰ বন্দবস্ত কৰিব ধৰিলে।

গছৰ তলত এটা ডাঙৰ 'ধ্বনি'ৰ সমুখত শ্ৰীমৎ প্ৰেমানন্দ স্বামী, তেওঁৰ চাৰিও ফালে শিষ্যসকল আৰু অলপ দূৰতে ভবানন্দ আপোন চিন্তাত মগ্ন হৈ বহি আছে। এনেতে এজনী তিৰোতা কোলাত এটা সন্তান লৈ আহোঁ নাহোঁকৈ সেই গছৰ তলৰ পিনে অহা দেখা গল। তিৰোতা জনীয়ে গছৰ তললৈ কিছু আগবাঢ়ি আহি হঠাৎ থমকি ৰল আৰু তাৰপৰা উভতিবৰ কাৰবাৰ কৰিলে। প্ৰেমানন্দ স্বামীয়ে এনে সময়তে তিৰোতাজনীক মাত লগালে "আই! তোমাক কি লাগে?"

স্বামীজিৰ কথাত তিৰোতাজনীয়ে যেন মনতে বৰ সাহ পালে। তাই অলপো সঙ্কোচ নকৰাকৈ পোনাই স্বামীজিৰ ওচৰলৈ আহি এটি সেৱা জনালে আৰু কলে "প্ৰভু! আপোনালোকৰ ওচৰত মোৰ এটা অভিযোগ আছে।"

সংসাৰ বিৰাগী সন্ন্যাসীৰ ওচৰত এক নাৰীৰ অভিযোগ? স্বামীজিয়ে কথাটোৰ ভালকৈ গম ধৰিব নোৱাৰিলে। সেই বাবে তেওঁ আচৰিত হৈ সুধিলে "আমাৰ ওচৰত তোমাৰ অভিযোগ?"

তিৰোতাজনীয়ে বিনীতা হৈ কলে "হয় প্ৰভু আপোনালোকৰ ওচৰত মোৰ অভিযোগ।" কথাষাৰ কৈ তাই অলপ সময় ৰল। তাৰ পাছত ভবানন্দৰ পিনে

আঙুলিয়াই কলে "প্ৰভু, আপোনাৰ লগৰ এই ডেকা সাধক মই পাপীষ্ঠাৰ স্বামী।"

ক্ষণেকৰ বাবে সকলো কথাবতৰা বন্ধ হল। প্ৰেমানন্দ স্বামীয়ে তলমূৰ কৰিলে। ভবানন্দৰ চঞ্চল চকুৰ চাহনি, সামান্য সামান্য কথাতে খং বা বেজাৰৰ বিকাশ—এই সকলোবোৰ ভালেমান দিনৰে পৰা স্বামীজিৰ চকুত পৰিছে কিন্তু তেওঁ সেইবিলাকৰ ভাল কাৰণ উলিয়াব পৰা নাছিল। আজি তিৰোতাজনীৰ এই কথাত সেইবাবে তেওঁ ততালিকে বিশ্বাস কৰিলে আৰু খঙেৰে ভবানন্দক সুধিলে "ভবানন্দ! এই কথা সঁচানে?"

ভবানন্দ নিৰুত্তৰ। তেওঁ নিমাতে থকা কাৰণে গুৰুদেৱৰ বৰ খং উঠিল আৰু ভবানন্দক কিবাকিবি কবলৈ আৰম্ভ কৰোঁতে তিৰোতাজনীয়ে হঠাৎ মাত লগালে "প্ৰভু! তেওঁ মোক পাহৰিব পাৰে কিয়নো মতা মানুহে কথাবোৰ অতি সহজতে পাহৰি যায়, আমি তিৰোতা বোৰে সোনকালে নাযাওঁ। আজি এই পুণ্যৰ দিনত মই আপনালোকৰ ওচৰত মিছা কোৱা নাই। মই উচ্চ বংশৰ হিন্দুৰ ছোৱালী আছিলোঁ। শুনিছোঁ মোৰ বিয়াও হৈ গৈছিল এজন আদ বয়সৰ মানুহৰ লগত। মোৰ দুৰ্ভাগ্যক্ৰমে মই স্বামীৰ মুখ আনকি স্বামীৰ ঘৰো দেখিবলৈ নাপালোঁ। যৌবনৰ প্ৰথম জিলিকনিৰ লগে লগেই মোৰ কল্পনাৰ চাঞ্চল্য উপস্থিত হল, মই কল্পনাৰ ৰাজ্যত বিচৰণ কৰিব ধৰিলোঁ। ঠিক তেনে সময়ৰে পৰা এওঁৰে লগত মোৰ মিলাপ্ৰীতি হবলৈ ধৰিলে—মই পথভ্ৰষ্টা হলোঁ। এই দুৰ্ভগীয়া লৰাটো লাহে লাহে গৰ্ভত স্থিতি হল। মই সকলোৰে চকুত নৰকৰ কীট হৈ পৰিলোঁ। কিন্তু তেনে সময়তো মোৰ স্বামীয়ে মোক ৰীতিমতে বিয়া কৰাম বুলি আশ্বাস দি আছিল। কিন্তু হঠাৎ মোক এদিন তেওঁৰ ককায়েক আৰু এজন মানুহে এই ঠাইলৈ লৈ আহি এক পাপীষ্ঠৰ ঘৰত এৰি যায়। সেই পাপীষ্ঠৰ ঘৰতে এই লৰাটিৰ জন্ম। তেওঁলোকৰ ঘৰত তেনেই ঘিণলগা কাম কৰি দুবছৰকাল কটাও—অতীত সুৱঁৰি মোৰ চকুপানী গিৰগিৰকৈ বৈ পৰে। শেহত তেওঁলোকৰ অত্যাচাৰ সহিব নোৱাৰি ভিক্ষাজীবী হৈছোঁ। প্ৰভু! আপোনালোকে মোক দয়া কৰক। আপোনালোকৰ দলৰ পৰা তেওঁক মুক্ত কৰি দিয়ক। যদি তেওঁ মোক সঁচাকৈয়ে ভুলি গৈছে তেন্তে অইনক বিয়া কৰায়ে সুখী হওক। এই ভৰ ডেকা বয়সতে তেওঁ সন্ন্যাসী হোৱাৰ সকাম নাই।"

তিৰোতাজনীৰ কথাবিলাক সকলোৱে বৰ মনযোগেৰে শুনিলে। তাইৰ কথাবোৰ মিছা বা ছলনা বুলি কাৰো মনত সন্দেহ নহল। কথাবোৰ শুনি স্বামীজিৰ মনত বৰ দুখ লাগিল। তেওঁ ভবানন্দক ওচৰলৈ মাতি আনি কলে "ভবানন্দ, তুমি আগেয়ে বহুতো দোষ কৰিছা। এতিয়াও তুমি মিছাৰ আশ্ৰয় লৈ পৰকালো নষ্ট নকৰিবা। তোমাৰ এই বিষয়ে কি কবৰ আছে সঁচা কোৱা।"

ভবানন্দই গুৰুদেৱৰ ভৰি দুখনত সাৱটি ধৰি কলে "গুৰুদেৱ! মোক ক্ষমা কৰক। মই আপোনাৰ আশ্ৰমনীতি বিগৰ্হিত কাম কৰিছোঁ। মই সাধক নহওঁ—সন্ন্যাসী নহওঁ—মই ঘোৰ সংসাৰী। সংসাৰত ভাই-বন্ধুৰ ওপৰত খং কৰি আৰু এই অভাগিনীৰ প্ৰতি প্ৰীতি এৰিব নোৱাৰি মই সংসাৰৰ পৰা আতৰি আহিছিলোঁ—কিন্তু আজিও পৰা নাই। গুৰুদেৱ, এই অভাগিনীয়ে যি কৈছে সি সম্পূৰ্ণ সত্য। কিন্তু মই তেওঁৰ প্ৰতি অবিচাৰ কৰা নাই। আজিও মোৰ তেওঁৰ ওপৰত বিশ্বাস, তেওঁৰ প্ৰতি মৰম-স্নেহ অটুট হৈ আছে। আজি তিনি বছৰ কাল প্ৰতি মুহূৰ্ত্তে তেওঁৰ ছবিখনি মোৰ হিয়াত জাগি আছে। দীঘলীয়া সময়ে মোৰ অন্তৰত থকা তেওঁৰ স্মৃতি ভাঙ্গি চুৰমাৰ কৰি দিব পৰা নাই। সেয়েহে সময়ত আশ্ৰমৰ কৰ্ত্তব্যৰ প্ৰতি মোৰ অবহেলা প্ৰকাশ পাইছিল। এই অভাগিনীক মই নিজেই ত্যাগ কৰা নাই। চক্ৰান্ত কৰি তেওঁক কোনোবাই মোৰ চকুৰ পৰা আঁতৰাইছিল। মই তেওঁক বিচাৰি চাইছিলোঁ কিন্তু নাপালোঁ। অৱশেষত নিজৰ ওপৰত ভাই ককাইৰ ওপৰত ধিক্কাৰ লাগিল—মই ঘৰৰ পৰা বাজ ওলালোঁ সন্ন্যাসীৰ বেশত। সন্ন্যাসী

হলোঁ। এই অভাগিনীৰ প্ৰতি ঘৃণাৰ কাৰণে নহয়, তাইৰ প্ৰতি প্ৰকৃত ভালপোৱাৰ কাৰণেহে।"

ভবানন্দই আবেগৰ সুৰত কথাবোৰ সৰসৰীয়াকৈ কৈ গেলালে। তেওঁৰ কথাত স্বামীজি বৰ আচৰিত হল। ভিখাবিনীয়ে ভবেন্দ্ৰৰ কথাবোৰ শুনি আবেগ সম্বৰণ কৰিব নোৱাৰিলে। তাই লৰি আহি ভবেন্দ্ৰৰ ভৰিত সাৰটি ধৰি কলে "ভবেন্দ্ৰ! স্বামী মোৰ! তুমি ইমান মহৎ।" ভবেন্দ্ৰৰ চকুকুৰেদি দুধাৰী চকুলো বৈ ভিখাবিনীৰ হাত ধুই নিলে।

স্বামীজিয়ে এইবোৰ দেখি অবাক হল। তেওঁ হাত তুলি কলে "ভবানন্দ! আই! তোমালোক আদৰ্শ স্বামী-স্ত্ৰী। ভগৱানে তোমালোকৰ মঙ্গল কৰক। কাইলৈ তোমালোক দুয়োৰো ইয়াতে যথাৰীতি বিবাহ হব আৰু তাৰ পুৰোহিত হম মই নিজেই। বিধবাৰ কৰুণ অশ্রুপাতত ভাৰতৰ পদে পদে অমঙ্গল উপস্থিত হৈছে। তাৰ প্ৰতিকাৰ কৰা যাওক।"

ভবেন্দ্ৰ আৰু তেওঁৰ স্ত্ৰীয়ে গুৰুদেৱৰ ভৰিৰ ধূলা ললে। গুৰুদেৱে দুয়োকো আশীৰ্বাদ কৰিলে "শুভমস্তু।"



তুৰস্কৰ নাৰী শক্তি আৰু কামালৰ সংস্কাৰ

—শ্ৰীযুত নবীন বৰগোহাঞি

কুৰি শতাব্দীত কেবাটি জাতি বহু যুগৰ টোপনি এৰি ঠাৎ অসীম শক্তি আৰু কঠোৰ কৰ্ত্তব্যপৰায়ণতাৰ পৰিচয় দিব পাৰিছে, তুৰস্ক সেই বিংশৰ ভিতৰত এটি উজ্জ্বল দৃষ্টান্ত আৰু এক্ষেত্ৰত কথা কবলৈ গলে তুৰস্কৰ লগত এই নতুন শক্তি সঞ্চাৰিত কোনো জাতিৰে তুলনা নহয়। এক্ষালে যেনেকৈ নতুন প্ৰেৰণা শক্তি লাভৰ বিষয়ত তুৰস্কৰ লগত সেই বিলাক জাতিৰ কোনোটিৰে তুলনা নহয়, আনফালে তেনেকৈ অজ্ঞতা, কুসংস্কাৰ আৰু অবসাদত ইমান গভীৰ ভাবে সেই বিলাক কোনো জাতিয়ে তুৰস্কৰ



তুৰীৰ ছোৱালীবোৰক আধুনিক ধৰণে ব্যায়াম শিক্ষা দিয়া হৈছে

দৰে বুৰ বৈ থকা নাছিল। যুগ যুগান্তৰৰ জড়ত্ব জোকাৰি এনে আকস্মিক আৰু বিস্ময়কৰ ভাবে কোনো জাতিৰে জাগৰণ সম্ভৱ হোৱা নাই।

মহা সমৰৰ সময়ত যেতিয়া গোটেই য়ুৰোপতে হত্যাৰ তাণ্ডৱ লীলাত শান্তি শৃঙ্খলা বিপদগ্ৰস্ত, তুৰস্কত তেতিয়া বাহিৰৰ এই ৰণ-কোলাহলৰ উপৰিও গকৰা অশান্তিৰ কলা ডাৰবে বেঢ়ি আছিল, জাতীয় জীৱন অচল হৈ আহিছিল। সিদিনা সেই অচল জাতীয় দেহত চৈতন্য জগাই যি সকলে নতুন তুৰস্কৰ নব জীৱন প্ৰতিষ্ঠা কৰিছিল সেই সকলৰ ভিতৰত তুৰস্কৰ অগ্নি ঋষি কামালৰ কেবা



তুৰ্কীৰ কেজনীমান নাচনী ছোৱালী, নাটমঞ্চিৰত বেলে নাচ শিকিছে

গৰাকী মহীয়সী মহিলাৰ নামো তুৰস্ক বুৰঞ্জীত সোণৰ আখৰেৰে লিখা আছে। মুস্তাফা কামালৰ কঠোৰ আত্ম



তুৰ্কীৰ প্ৰথম মহিলা বিচাৰ কৰ্ত্তী—চুৰাট হিলমি খানিম। ইষ্টাম্বুলৰ আপীলতৰ বিচাৰ কক্ষত অম্বৰ সাজত।

ত্যাগৰ লগত এই নাৰী প্ৰাণৰ নিষ্ঠা, আন্তৰিকতা, সোণত সুৰগা হৈ পৰিছিল। যি দিনা তুৰস্কৰ কন্‌ষ্টাণ্টিনপল মিত্ৰ

শক্তিৰ অধীনলৈ আহিল সিদিনা বিক্ষুব্ধ তুৰস্ক জনসাধাৰণৰ নেতৃত্ব কৰিবলৈ নাৰী শক্তিৰ পক্ষৰ পৰাও কেবা জনাও আগবাঢ়ি ওলাইছিল—অবৰ্ণনীয় দুখ লাঞ্ছনাই তেওঁলোকৰ কুসুমকোমল নাৰী হৃদয় বিচলিত কৰিব পৰা নাই।



বৰ্ত্তমান তুৰ্কীৰ এগৰাকী বিখ্যাত মহিলা কৰ্ম্মী—লটিফ বেকীৰ। তুৰ্কীৰ 'মহিলা সঙ্ঘ'ৰ অধিনায়িকা। ইষ্টাম্বুলৰ অফিচত তেখেতৰ টাইপেষ্টিক টাইপ কৰিবলৈ ডিক্টেট কৰিছে।

দিনৰ পিছত মাহ, মাহৰ পিছত বছৰ বছৰকৈ দুঃসহ দুখ কষ্ট সহি তেওঁলোকেও তুৰস্কৰ দেশাত্মবোধ জগাই তোলাত মুস্তাফা কামালৰ প্ৰধান সহায় হৈ পৰিছিল। মহা যুদ্ধৰ পিছত বিজয়ী মিত্ৰ শক্তিয়ে আলা তোলিয়াৰ পুব পিনে স্বাধীন আৰ্ম্মেনিয়া প্ৰতিষ্ঠিত কৰাত আৰু তুৰস্কৰ চুলতানে পাৰ্লামেণ্ট ভাঙি দি নিজ স্বাৰ্থৰ বাবে তুৰস্কক পৰানুগত কৰিবলৈ ওলোৱাত কেৱল আনাতোলিয়াৰ যি জাতীয় দলে বিদ্ৰোহ কৰিছিল তাৰ ভিতৰত তুৰস্ক ৰমণীও আছিল। তৰুণ তুৰস্কক উত্তেজিত কৰা অপৰাধত মেদেম হালিদা হানুমো অপৰাধিনী হৈছিল। এই মহীয়সী তুৰ্কী মহিলাৰ শক্তিময়ী লেখনী তুৰস্কৰ চিন্তা ৰাজ্যত এটি নতুন যুগৰ সৃষ্টি কৰিছে—মুক্তিকামী লক্ষ লক্ষ নৰ নাৰীৰ প্ৰাণত প্ৰেৰণা যোগাইছে।

অতীতৰ তুৰস্কৰ সেই অৱস্থা আৰু এতিয়া নাই। ইয়াত আজি আধুনিক সভ্যতাৰ হেন্দোলনি উঠিছে। মতা তিৰোতাই একেসমানে শিক্ষা লাভ কৰিছে। পৰ্দ্দা প্ৰথা ৰাজাৰ পৰা বিদায় লৈছে। বৰ্ত্তমান তুৰস্কৰ শাসন কৰ্ত্তা হৈছে মুস্তাফা কামাল পাছা। তেওঁৰ জন্ম হৈছে ১৮৭৮ খৃষ্টাব্দত। মুস্তাফা কামাল পাছাই এখন পাৰ্লিয়ামেণ্টৰে (parliament) ৰাজ্য সুকলমে শাসন কৰিছে। তেওঁ যদিওৱা সমগ্ৰ তুৰস্কৰ শাসনকৰ্ত্তা তথাপি তেওঁ সৰলচিতীয়া আৰু অমায়িক। তেওঁৰ মানত ধনী দুখীয়া ডাঙৰ সৰু বিদ্বান মূৰ্খ একোৰে প্ৰভেদ নাই। মুঠতে কবলৈ গলে, তেওঁ সকলোকে সমান চকুৰে চায়



আঙ্গোৰাৰ ইছমেৎ পাছা গাৰ্ল ইনষ্টিটিউটত ছোৱালীবোৰে শেষত ছবি ধৰা শিকিছে।

আৰু আচল উদ্দেশ্য নিজৰ দেশক উন্নত কৰি তুলাৰ প্ৰধান ধাউতি। এই সদ গুণৰ বাবেই আজি তেওঁ প্ৰজাৰ পৰা আদৰ আৰু সম্মান লাভ কৰিছে বা কৰিব পাৰিছে।

আগতেই কোৱা হৈছে যে, আধুনিক তুৰস্ক আৰু অতীতৰ তুৰস্কৰ মাজত স্বৰ্গ মৰ্ত্ত্য প্ৰভেদ। তেতিয়া মানুহৰ সংখ্যা আছিল প্ৰায় ২০০০০, কিন্তু আজি কালি



তুৰ্কীৰ ছোৱালীবোৰক আধুনিক ধৰণৰ মহিলাৰ টুপী সাজিবলৈ শিক্ষা দিয়া হৈছে।

তুৰস্কৰ লোকসংখ্যা প্ৰায় ১০০০০০ মান অৰ্থাৎ প্ৰায় পাঁচগুণে বাঢ়িছে।



তুৰ্কীৰ এটি লৰা-ছোৱালীক একেলগে শিক্ষা দিয়া স্কুলত এগৰাকী শিক্ষয়িত্ৰীয়ে লৰা-ছোৱালীবোৰৰ স্বাস্থ্য সম্বন্ধীয় শিক্ষা দিছে। সিহঁতক শাৰীগতাই নখ আৰু আঙুলিবোৰ পৰিষ্কাৰ আছেনে চাইছে।

তুৰস্কৰ নাৰী জাগৰণ বাস্তৱিকতে বিশেষ মন কৰিব লগীয়া। তুৰস্কৰ নাৰী জাগৰণেই তুৰস্কৰ উন্নতিৰ মূল কাৰণ। ই জগতৰ আদৰ্শনীয়। আধুনিক তুৰস্কৰ তিৰোতা সকলে মতাৰ লগত উচ্চ শিক্ষাৰ ভাগ লৈছে। অৱৰোধ প্ৰথা ৰাজ্যৰপৰা সম্পূৰ্ণৰূপে দলিয়াই পেলোৱা হৈছে। তিৰোতা সকলে অৰিয়াঅৰি কৰি পুৰুষৰ লগত শিক্ষা, শিল্প, কলা, বাণিজ্য সকলোতে সমানে আগ বাঢ়িছে। ছোৱালী শিক্ষা বাধ্যতা মূলক (Compulsory) কৰা হৈছে। আজি কালি তুৰস্কত আধুনিক শিক্ষাত শিক্ষিত হোৱা তিৰোতা বিলাকে শিক্ষয়িত্ৰী, ডাক্তৰ আদিৰ কাম চলাইছে।



প্ৰথম তুৰ্কীৰ অভিনেত্ৰী নেয়িৰে নেয়িৰ—কোৰাণৰ মতে অভিনয় ব্যৱসায়ত যোগ দিয়া তিৰোতাৰ নিমিত্তে নিষিদ্ধ আছিল। কিন্তু আজিকালি পূৰ্ব্ব প্ৰথা তুৰ্কী-নাৰীসকলে পৰিহাৰ কৰিছে।

তুৰস্কৰ পুৰুষবিলাকৰ পৰিবৰ্ত্তন সম্পৰ্কেও ভাবি চালে আচৰিত হব লাগে। তুৰস্কৰ প্ৰত্যেক প্ৰজাই অহঙ্কাৰৰ গুৰিত কুঠাৰৰ ঘাপ মাৰি দেশৰ আৰু দহজনৰ বাবে জীৱন উছৰ্গা কৰিবলৈ ওলাইছে। তেওঁলোকে অতীতৰ কথা পাহৰি গৈছে। কেৱল সুদূৰ ভৱিষ্যতৰ কথাহে

ভাবি দেহে কেহে উন্নতিৰ শীৰ্ষস্থানত আৰোহণ কৰিবলৈ চেষ্টা কৰিছে। বৰ্ত্তমান তুৰস্কৰ লৰাবিলাকে তেৰ বছৰলৈ স্কুলত শিক্ষা লাভ কৰিব লাগে। ইয়াকো বাধ্যতা মূলক কৰা হৈছে। তাৰ পিছত লৰাৰ ইচ্ছানুযায়ী শিক্ষা লাভৰ নিমিত্তে বিদেশলৈ যাব পাৰে। তুৰস্কৰ এই জাতীয় প্ৰেম বাস্তৱিকতে প্ৰশংসনীয়। ১৯২২চনত



ইচ্‌টামবুলৰ একাডেমি অব্ আৰ্টৰ চিত্ৰশালাত লৰাছোৱালীয়ে একেলগে উলঙ্গ চিত্ৰৰ সৌন্দৰ্য্য সম্বন্ধে আলোচনা কৰিছে।

শিক্ষিতৰ সংখ্যা আছিল শতকৰা দহজন মাত্ৰ। কিন্তু আজি কালি তুৰস্কৰ শিক্ষিতৰ সংখ্যা হৈ পৰিছে - শতকৰা ৭৫ জন।

বৰ্ত্তমান তুৰস্কৰ স্কুল বিলাকত প্ৰকৃত শিক্ষাৰ কি উদ্দেশ্য—এই সম্পৰ্কে শিক্ষা দিয়া হয়। তিৰোতা সম্প্ৰদায়ক যে বিশেষ শ্ৰদ্ধাৰ চকুৰে চাব লাগে এই সম্পৰ্কেও শিক্ষা দিয়া হয়। লৰাবোৰে ইংৰাজী, জাৰ্ম্মাণী বা ফৰাচী ভাষা শিকিব লাগে। খেলাৰ ভিতৰত ফুটবল, হকি, টেনিচ আদি জনপ্ৰিয় হৈ উঠিছে। বৰ্ত্তমানে কনষ্টাণ্টিনোপোলতহে (Constantinople) এটা বিশ্ববিদ্যালয় (university) আছে।

আধুনিক তুৰস্কই সকলো ৰকমৰ বিদ্যাত এক সমানে হাত দিছে। চিত্ৰ শিল্প, কলা আৰু সঙ্গীত আদিও আধুনিক তুৰস্কই হাত নিদিয়াকৈ থকা নাই। চিত্ৰ বিদ্যা স্কুল বিলাকত বাধ্যতা মূলক কৰা হৈছে। উপযুক্ত ছাত্ৰক এই বিদ্যাৰ উৎকৰ্ষ সাধনৰ নিমিত্তে বিদেশলৈ পঠিৱাবৰ বিশেষ সুবন্দবস্ত কৰা হৈছে। আধুনিক তুৰস্কৰ আইন কানুনবোৰ সম্পূৰ্ণ বেলেগ। এই বিলাক ইটালিৰ আৰু চুইজাৰলেণ্ডৰ অনুকৰণ কৰি কৰা হৈছে।

খেতিবাতি সম্পৰ্কেও আজিৰ তুৰস্কই হাত নিদিয়াকৈ থকা নাই। খেতি বাতিত গৱৰ্ণমেণ্টে খেতিয়ক সম্প্ৰদায়ক বিশেষ সুবিধা দিছে! পানী যোগোৱা নলাৰ সহায়েৰে কৃষিৰ বিশেষ উৎকৰ্ষ সাধন কৰিছে। তুৰস্কৰ গাওঁ বিলাকৰ অৱস্থা আগেয়ে বিশেষ সুবিধাজনক নাছিল। কিন্তু আজি কালি তুৰস্কৰ গাওঁবিলাক আৰু আলি পদূলি বিলাক



এঙ্গৰাৰ নিউ 'একাডেমি অব্ মিউজিকৰ' এগৰাকী নিপুণ মহিলা শিল্পীয়ে মাইক্ৰ'ফ'নৰ সমুখত সুললিত সঙ্গীত যুৰিছে।

যাতে পৰিষ্কাৰ পৰিচ্ছন্নতাত থাকে তাৰ নিমিত্তে গৱৰ্ণমেণ্টে বিশেষ যত্ন লৈছে।

আগতে তুৰস্কৰ বেহাবেপাৰ গ্ৰীক আৰমেনিয়ন আৰু ইহুদি বিলাকৰ হাতত আছিল কিন্তু সেই দিন আজিৰ তুৰস্কৰ নাই। আজি কালি তুৰস্কই বেহা বেপাৰ নিজে একচেটিয়াকৈ লৈছে। জাতি সঙ্ঘত তুৰস্কই যোগ দান দিছে। তেওঁলোকে ইয়াৰ দ্বাৰা জগতবাসীক ভালকৈ বুজাই দেখুৱাই দিছে যে—তুৰস্ক শান্তিৰ অনুগামী বা শান্তি প্ৰিয়।

কামাল পাছাই এতিয়ালৈকে তেওঁৰ দেশত যিবিলাক সংস্কাৰজনক আৰু উন্নতি মূলক কাম কৰিছে তাতেই সন্তুষ্ট হৈ থাকিব পৰা নাই। চমুকৈ কবলৈ গলে কামালৰ তুৰস্কত নিত্য নতুন সংস্কাৰ চলিব লাগিছে। পুৰণি অন্ধ সংস্কাৰৰ মূলত কুঠাৰ মাৰি নতুন আদৰ্শক আনি থাপনা পাতোতে কামাল পাছা সাহসিকতাৰ জলন্ত মূৰ্ত্তি। কামালৰ তুৰস্কত একেলগে ধৰ্ম্ম সমাজ ৰাষ্ট্ৰ জাতীয় অদৰ্শ আদি সকলো বিষয়ৰে সংস্কাৰ বিশেষ মন কৰিব লগীয়া। কেমাহ মানৰ আগতে আকৌ কিছুমান উল্লেখ যোগ্য সংস্কাৰ হাতত লোৱা হৈছে। যেনে :—(১) নাম



এঙ্গৰাৰ বিবাহিত মহিলাসকলৰ নৈশ-বিদ্যাপীঠ। চহৰলৈ সপ্তাহত এদিনকৈ আহি তেওঁলোকে বেঁজি আৰু চিলাই কলৰ কাম শিকিছেহি।

ৰখাৰ প্ৰথা সলাই তুৰ্কী নাম গ্ৰহণ (২) তুৰ্কী ৰমণীৰ ভোট দানৰ আৰু ব্যৱস্থাপক সভাত প্ৰবেশৰ অধিকাৰ; (৩) দেশীয় সঙ্গীত নিষিদ্ধ কৰা; আৰু (৪) ধৰ্ম্মানুষ্ঠানৰ বাহিৰে ধৰ্ম্মযাজকৰ সাজ পিন্ধিবলৈ নিষেধ কৰা।



পঢ়াশালিৰ খেল-মাটিত শিক্ষয়িত্ৰী আৰু ছাত্ৰী। তেওঁলোকৰ সাজ-পাৰ একেবাৰে নব্য যুগৰ।

চলিত বছৰৰ জানুৱাৰী মাহৰ পৰাই এইবিলাক সংস্কাৰলৈ বিশেষ মনোযোগ দিয়া হৈছে। তুৰস্কৰ 'নেশ্যনেল গ্ৰেণ্ড এস্তেম্বলীয়ে কামাল পাছাক 'আতাতুৰ্ক' (তুৰ্কী সকলৰ কৰ্ত্তা) নাম দিছে। এতিয়াৰ পৰা কামাল পাছা 'আতাতুৰ্ক' নামেৰে অভিহিত হৈছে। প্ৰধান মন্ত্ৰী, ইস্মেত পাছাৰ নাম দিয়া হৈছে—ইলোস্যু। পৰৰাষ্ট্ৰ সচিব তিউফিক ৰছিদ বে'ৰ নাম হৈছে 'আৰস'। পুৰণি তুৰ্কী পুৰুষ সকলৰ নামৰ লগত 'বে' আৰু তিৰোতা সকলৰ নামৰ লগত 'বেইন' ব্যৱহাৰ হব।

এতিয়াৰ পৰা ২৩ বছৰীয়া প্ৰতি তিৰোতাই ভোট দিব পাৰিব আৰু ৩০ বছৰৰ বেছি বয়সীয়া যি কোনো তিৰোতাই তুৰস্ক পাৰ্লামেণ্টৰ সদস্যপদ প্ৰাৰ্থী হব পাৰিব। বৰ্ত্তমান বছৰৰ তুৰস্ক জাতীয় পৰিষদৰ নিৰ্ব্বাচনত ২০ জনা মহিলা প্ৰাৰ্থীৰ ভিতৰত ১৭ জন নিৰ্ব্বাচিত হৈছে।

তুৰস্কৰ জাতীয় সঙ্গীত বৰ্ত্তমান তুৰস্কৰ গৌৰৱৰ বস্তু নহয় বুলি কামাল পাছাই (আতাতুৰ্ক) নিজৰ অভিমত প্ৰকাশ কৰিছে। তুৰস্কৰ প্ৰচলিত সঙ্গীতৰ বৈচিত্ৰ্যহীনতা আৰু নিৰ্জীৱ ভাবেই নেকি তাৰ কাৰণ। আতাতুৰ্কৰ মতে তুৰস্কৰ জাতীয় সঙ্গীত নবীন তুৰস্কৰ উপযোগী হব লাগে। যিমান দিনলৈকে নতুন সঙ্গীতৰ উদ্ভৱ নহয় তিমান দিন পুৰণি সঙ্গীত বন্ধ থাকিব।



তুৰ্কীৰ নবযুগৰ সংস্কাৰক কামাল পাছা

ইয়াৰ ছ বছৰ আগেয়ে তুৰস্ক ভাষাৰ আখৰ সলাই কামাল পাছাই গোটেই জগতৰে বিস্ময় সৃজন কৰিছে। এই আখৰ পৰিবৰ্ত্তনৰ ফলত অতি কম সময়ৰ ভিতৰতে তুৰস্কবাসী শিক্ষাৰ বাটত বহুখিনি আগ বাঢ়িব পৰিছো সম্প্ৰতি কামালে বিদেশী শব্দজালৰ মেৰ এৰাই কেৱল বিশুদ্ধ তুৰ্কী ভাষাৰ প্ৰচলন কৰিবলৈ পাঙিছে। ইমান দিন যি বিলাক আৰবী, পাৰ্সী আদি বিদেশী শব্দ তুৰ্কী অভিধানত আছিল সেইবিলাক উঠাই দি এখন নতুন অভিধান প্ৰণয়ণ আৰু প্ৰকাশ কৰি উলিয়াবলৈ চেষ্টা হব লাগিছে। [এই খিনিতে আমাৰ অসমীয়া ভাষাৰো আখৰ সমস্যাৰ কথা মনলৈ আহে। আৰু লগে লগে আক্ষেপ হয়—এই বিলাক দেশত ইমান খিনি সংস্কাৰো সম্ভৱ হয় আৰু আমাৰ দেশত আমাৰ ভাষাৰ আখৰৰ সলনি নকৰা বাবে যি অশেষ ক্ষতি হব লাগিছে তাক বহুতে উপলব্ধি কৰিও সংস্কাৰ কৰিবলৈ সাহ কৰি কোনেও নোলায় !]

ধৰ্ম্মযাজক সকলে ধৰ্ম্মানুষ্ঠানৰ বাহিৰে যাজকৰ সাজ পিন্ধিবলৈ নিষেধ কৰাৰ উদ্দেশ্য হৈছে তুৰস্কৰ গোড়া আৰু ধৰ্ম্মভীৰু সকলৰ দুৰ্ব্বল মনৰ পৰা ধৰ্ম্ম যাজক সকলৰ প্ৰভাৱ কমোৱা। কামালৰ তুৰস্কৰ এই সকলো খিনি যেন এটি সপোনহে !

বুৰা জাহাজৰ স্মৃতি

গল্প— —শ্ৰীযুত বৰুণা কান্ত গগৈ

কালি আছিল একত্ৰিশ ডিচেম্বৰ।

জৰ্জ্জেছ জেৰিনৰ ঘৰত আহাৰ কৰিছিলো। জেৰিন মোৰ লৰা কালৰ বন্ধু। খাই থাকোঁতেই তেওঁৰ চাকৰে এখন চিঠি আনি দিলেহি। চিঠি খনৰ গাত বিদেশৰ টিকিট অঁটা। বহু মোহৰৰ খুন্দা সেই চিঠিৰ ওপৰত পৰিছে।

জৰ্জ্জেছে কলে—যদি অনুমতি দিয়া চিঠিখন পঢ়ি লওঁ।

কলোঁ—নিশ্চই।

ডাঙৰ ডাঙৰ ইংৰাজী আখৰেৰে লিখা থেপাথেপি আঠপাতৰ চিঠি। জৰ্জ্জেছে ধীৰে ধীৰে কিন্তু গভীৰ মনোযোগেৰে পঢ়াত লাগিল। মুখৰ ওপৰত তেওঁৰ বিৰিঙি উঠিল সেই আগ্ৰহ যিটো কেৱল অন্তৰৰো অন্তৰতম বিষয়ৰ প্ৰতিহে মানুহে অনুভৱ কৰে।

পঢ়া শেষ কৰি চিঠিখন মেজৰ একাষে থৈ তেওঁ কলে—এই চিঠিখনৰ লগত এটা অভিনৱ কাহিনীৰ সমাবেশ আছে—এটা ভয়ানক 'এডভেঞ্চাৰ' যাৰ বিষয়ে তোমাক কোনো দিন কোঁৱা নাই অথচ মোৰ জীৱনতেই সেইটো ঘটিছিল। আৰু তাৰ ফলস্বৰূপেই বছৰি বছৰি নতুন বছৰে এটা অপৰূপ ৰহণ সানি লৈ মোক দেখা দিয়েহি। কুৰি বছৰ আগৰ ঘটনা—তেতিয়া মোৰ বয়স আছিল ডেৰকুৰি আৰু আজি আঢ়ৈকুৰিৰ জপনা চেৰাই আহিছোঁ।

কাহিনীটো কওঁ—শুনা।

মই তেতিয়া মাৰ্টিন ইন্‌চিওৰেন্স কোম্পানীৰ ইন্‌চপেক্টৰ আৰু আজি সেই কোম্পানীৰেই চেয়াৰমেন। জানুৱাৰী মাহ সোমোৱাৰ লগে লগেই কোম্পানীৰ চাকৰীয়া সকলো আনন্দ উৎসৱত মতলীয়া হয়। মোৰো একান্ত মন আছিল সেইবাৰ জানুৱাৰীৰ প্ৰথম সপ্তাহ পেৰিচতেই কটাম বুলি। কিন্তু এই আশাত বিধিপথালি দিলে মেনেজিং ডিৰেক্টৰৰ এখন চিঠিয়ে। চিঠি পোৱাৰ লগে লগেই তেওঁ মোক "আইল-ডি-ৰেলৈ ৰওনা হবলৈ আদেশ দিছিল। 'চেণ্টনাজায়াৰৰ' এখন জাহাজ তাত বুৰিছিল। আৰু এই জাহাজখন আছিল আমাৰ কোম্পানীতেই 'ইনচিওৰ কৰা। তেতিয়া পুৱা আঁঠ বাজিছে। প্ৰয়োজনীয় উপদেশ আদি লবৰ কাৰণে প্ৰায় দহমান বজাৰ সময়ত কোম্পানীৰ অফিছত উপস্থিত হলোঁগৈ।

তাৰ পিছত সেই দিনা আবেলিয়েই ৰেল ধৰি তাৰ পিছদিনাই পালোঁগৈ—'লা ৰোচেলি' সেই দিনা আছিল একত্ৰিশ ডিচেম্বৰ।

ইয়াৰ পৰা যিখন 'ষ্টিমলঞ্চ' 'আইল-ডি-ৰে লৈ যায় সেই খনৰ নাম আছিল 'জিন-গুইটন্'। জাহাজ এৰিবৰ তেতিয়াও প্ৰায় দুঘণ্টা মান পলম আছিল। গতিকে চহৰ খনকে এবাৰ চাওঁ বুলি বাহিৰ ওলালোঁ। এই লা ৰোচেলি এখন অদ্ভুত চহৰ, নানা ধৰণৰ নানান প্ৰকৃতিৰ মানুহৰ ইয়াত বসতি। আলি বাট বিলাকো সাঁথৰৰ নিচিনা অকোঁৱা পকোঁৱা, দুয়ো কাষে শাৰী শাৰী দোকান বজাৰৰ চিত্ৰবিচিত্ৰ তোৰণ—প্ৰায়ে 'ৰিউ ডি ৰিভেলি'ৰ দৰে, কিন্তু গভীৰ গহীনতা পূৰ্ণ। এই ৰমক জমক তোৰণবিলাকে মনত জগাই তোলে অতি পুৰণি কালৰ ছবি। লগে লগেই এটা ভয়াবহ ষড়যন্ত্ৰৰ লীলা ক্ষেত্ৰৰ দৃশ্য—অতীতৰ বৰ্ব্বৰ অথচ বীৰত্বৰ গৌৰৱেৰে ফটফটীয়া এখনি ধৰ্ম্মযুদ্ধৰ ৰঙ্গভূমিৰ দৃশ্যপট জিলিকি উঠে চকুৰ আগত।

ইয়াত কোনো উৎকৃষ্ট শিল্পৰ আঁচ পৰা নাই, তেনে আচৰিত ধৰণৰ কোনো প্ৰাচীৰো নাই যি 'ৰূৱেনৰ' গাত

অপূৰ্ব্ব ৰহণ সানিছে, কিন্তু সেই বুলিও ইয়াৰ ভিতৰত যি গহীনতা আছে সেয়ে ইয়াৰ এক অপৰূপ বিশিষ্টতা। কিন্তু ইয়াৰ লগে লগে———এই গহীনতাৰ মাজেদিও দুই এটি নিৰানন্দৰ কলিয়া ৰেখা ইয়াৰ গাত মিহলি হৈ পৰিছেহি।

এয়ে সেই ঠাই য'ত অবিৰাম যুদ্ধৰ তাণ্ডৱ নৃত্য চলিছিল, যত স্বেচ্ছাচাৰিতাই অনেক ধৰণৰ ষড়যন্ত্ৰৰ সৃষ্টি কৰিছিল আৰু য'ত 'কালভিনিষ্ট' ধৰ্ম্মমতৰ ভাৱৰীয়া ধৰা পৰিছিল সকলোতকৈ অধিক ৰকমে।

এটা নতুন ধৰণৰ বাটেদি কিছুপৰ ঘূৰি-পকি অৱশেষত সেই সৰু 'ষ্টিমলঞ্চ' খনত উপস্থিত হলোঁগৈ যাৰ সহায়ত আমি আইল-ডি-ৰেলৈ যাম। নিশ্বাসত বিৰক্তিৰ ধোঁৱা উগাৰি জাহাজখনে যাত্ৰা আৰম্ভ কৰিলে, আৰু কেইবাটাও পুৰণি দুৰ্গ পাছ পেলাই থৈ ক্ৰমান্বয়ে আগবাঢ়ি গ'ল। ৰিচেলিৱে বি মথাউৰি বন্ধাইছিল, সিও দূৰ সীমান্ত ৰেখাৰ লগত মিহলি হৈ পৰিল। জাহাজৰ পৰা দেখা গৈছিল কেৱল সেই বিৰাট তীৰভূমি, প্ৰকাণ্ড মালাৰ দৰে চহৰ খনক আবৰি থোঁৱা। তাৰ পিছত জাহাজে দক্ষিণ ফালে পাৰি দিলে।

দিনটোও আছিল তেনে ধৰণৰ—যি মনৰ ওপৰত বলে নোৱাৰা বোজাৰ দৰে হেঁচা দি ধৰি দেহৰ সকলো শক্তি-সামৰ্থ্যৰ লগতে মনৰো আশা আকাঙ্ক্ষা, আনন্দ স্ফূৰ্ত্তি সম্পূৰ্ণৰূপে বিলুপ্ত কৰি দিয়ে। এনেয়ে জাৰৰ দিন, চাৰিওফালে ডাঠকুঁৱলি বৰষুণ পৰাদি পৰিছে, বৰফতকৈও চেচা আৰু উশাহ নিশাহৰ পক্ষে ভয়ানক কষ্টদায়ক। ওপৰত এনে ধুৱঁলি-কুৱঁলি, তাৰ তলত সীমান্ত বিস্তৃত বালিৰ পাহাৰৰ কাষতেই চলঙুৱা সাগৰ—তাত এটি ঢৌ নাই—এটি কঁপনি নাই—জীৱনৰ কোনো সাৰ সহাঁৰি নাই; ডাঠ, ঘোলা, নিস্পন্দ সাগৰ। জিন গুইটনে অভ্যাস অনুযায়ী নাচি নাচি যাবলৈ ধৰিলে। মলিন সমতল পানীৰ ওপৰেদি যাওঁতে তাৰ পাছত অনেক ঢৌৱে যেন সাৰ পাই কঁপি কঁপি মূৰ দাঙি চাইছিল, কিন্তু পিছ মুহূৰ্ত্ততেই আকৌ শুই পৰিছিল।

কাপ্তানৰ লগত আলাপ পৰিচয় হ'ল। মানুহজন বেছ সৰবৰহী; দেখনত ঠাওকাল, সোঁ ভৰিটো ইটোৰ তুলনাত অলপ চুটি। যি দুৰ্ঘটনাৰ তদন্তৰ কাৰণে মোৰ এই অভিযান তাৰ বিষয়ে কিছু খবৰ গোটাবৰ মন কৰিলো তেওঁৰ পৰাই। কাৰণ এৰাতিৰ ধুমুহাত 'আইল-ডি'ৰেৰ ওচৰতে বালিৰ চৰত খুন্দা খাই ছেণ্ট নাজায়াৰৰ জাহাজ মেৰিয়াজোছেফ অকৰ্ম্মণ্য হৈ যায়। জাহাজৰ গিৰিহঁতে আমালৈ লিখিছিল—ধুমুহাই জাহাজখন ইমান কোবেৰে পাৰৰ ফালে ঠেলি লৈ গৈছিল যে ছাৰেংহঁতে কোনো মতেই তাক ঘূৰাই আনিব নোৱাৰিলে। মই গৈছিলো এই ঘটনাটোৰ অনুসন্ধানৰ কাৰণেই।—কিমান টকাৰ মালবস্তু হানি হ'ল—জাহাজৰ আশা এৰিব লগীয়া হোৱাৰ আগতে এই বস্তু বিলাক নমাবৰ কাৰণে যথাসাধ্য চেষ্টা কৰা হৈছিল নে নাই?—এই বিলাকেই আছিল মোৰ অনুসন্ধানৰ বিষয়। অৰ্থাৎ, মুঠতে কাম আছিল মোৰ সৰ্ব্বতোভাবে কোম্পানীৰ প্ৰতিনিধিত্ব কৰা। এই ঘটনা লৈ যদি কেতিয়াবা মামলা মোকৰ্দ্দমা কৰিব লগা হয়; তেন্তে বিশেষজ্ঞ হিছাপে কোম্পানীৰ তৰফৰ পৰা ময়ে যুঁজিব লাগিব; আৰু মোৰ ৰিপোৰ্ট পোৱাৰ পিছতহে নিজ স্বাৰ্থ বজাই চলিবৰ কাৰণে কেনে পন্থা অৱলম্বন কৰা উচিৎ—তাকো কোম্পানীৰ কৰ্ত্তৃপক্ষই ঠিক কৰিব পাৰিব—খোলা কথাত কবলৈ গলে এয়ে আছিল তেওঁবিলাকৰ তালৈ মোক পঠোৱাৰ একান্ত উদ্দেশ্য।

'জিন গুইটন'ৰ কাপ্তানে এই গোটেই ঘটনা ভালকৈ জানে। কাৰণ জাহাজৰ ভিতৰত বয়-বস্তুবিলাকৰ উদ্ধাৰৰ কাৰণে তেওঁৰ ষ্টিমলঞ্চ খনৰ সহায়ো বিচৰা হৈছিল। তেওঁ সহজ ভাষাৰে ঘটনাটোৰ বৰ্ণনা এনে ভাবে দিলে—ভীষণ ধুমুহাত পৰি 'মেৰিয়া জোছেফ' ৰাতি বাট হেৰুৱাই ফেনে ফোটোকাৰে উতলি অহা সাগৰৰ মাজেদি কণাৰ দৰে যাবলৈ ধৰিলে। যাওঁতে যাওঁতে হঠাৎ এটা বালিৰ চৰত খুন্দা খালেগৈ। সেই চৰটো ভাটাৰ সময়ত অসীম চাহাৰাৰ দৰে পাৰৰ এটা অংশত পৰিণত হৈ থাকে।

তেওঁৰ লগত কথা হবৰ সময়ত মই চাৰিওফালৰ অৱস্থাটোও ভালকৈ লক্ষ্য কৰি লৈছিলোঁ। এফালে

আমি গৈছোঁ পাৰৰ কাষে কাষে গা ঘহাঁই আৰু আন ফালে সাগৰ আৰু আকাশৰ মাজত মুকলি ঠাই পৰি আছে অসীম। মই সুধিলোঁ। দূৰত যে সৌ ৰিণি ৰিণি দেখা পোৱা গৈছে সেয়ে 'আইল-ডি-ৰে' নেকি?

হয়—মঁছিয়ে।

তাৰ পিছত সমুখলৈ বাওঁ হাতখন দাঙি দূৰত থকা এটা বস্তুৰ ফালে তেওঁ মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। এটা অতি অস্পষ্ট ছাঁ। তেও কলে—সৌৱা চাওক আপোনালোকৰ জাহাজ।

—'মেৰিয়া জোছেফ'—?

—হয়।

কথাষাৰ শুনিয়েই বুধি হেৰাল। এটা কলা ৰেখা—প্ৰায় দেখ নেদেখা। পাৰৰ পৰা সেই ঠাই ডোখৰ প্ৰায় তিনিশ মাইল মান দূৰত আছে বুলি মোৰ ধাৰণা হ'ল। অবিশ্বাসৰ সুৰেৰে কলো—কাপ্তান চাহাব, যি ঠাইলৈ আপুনি আঙুলিয়াইছে তাত দেখোন পানীৰ গভীৰতা ছশ ফুটৰ কম নহব যেন লাগে।

তেওঁ হাহি মাৰি কলে,—ছশ ফুট! তেনে হবই নোৱাৰে, মঁছিয়ে, তেনে হবই নোৱাৰে। পানী তাত বাৰ ফুটতকৈ দ নহয়।

তাৰ পিছত আকৌ আৰম্ভ কৰিলে—এতিয়া ন বাজি চল্লিশ মিনিট গৈছে। 'হোটেল' ডফিনত খোৱা বোৱা শেষ কৰি, জেপত হাত ভৰাই বালিৰ ওপৰেদি খোজ ধৰক। দুই বাজি পঞ্চাশ মিনিট, বৰ বেছি তিনি বজাৰ সময়ত আপুনি একেবাৰে শুকান বালিৰ ওপৰেদি খোজ কাঢ়ি সেই ভগা জাহাজ পাবলৈ। তাত এঘণ্টা পঁয়ছল্লিশ মিনিট—টানি টুনি দুঘণ্টালৈকে আপুনি থাকিব পাৰে, কিন্তু তাতোকৈ বেছি নোৱাৰে। মনত ৰাখিব তাৰ পিছতে জোৱাৰ আহিব। সাগৰ যেনেকৈ খৰধৰকৈ আঁতৰি যায়, আহে তাতোকৈয়ো বেছি খৰধৰকৈ। ইয়াৰ সাগৰৰ পাৰ বহুততকৈ সমান। গতিকে পাঁচ বাজিবলৈ দহ মিনিট মান থাকোতেই পাৰৰ ফালে পাৰি দিবলৈ চেষ্টা কৰিব—তাতোকৈ যেন পলম নহয়। চাৰে সাতৰ ভিতৰতে যেন 'জিনগুইটন' পায়হি—আৰু ৰাতিয়েই সি আপোনাক 'লা-ৰোছেলি পোৱাই দিবগৈ।

কাপ্তানক ধন্যবাদ জনালোঁ। তাৰ পিছত খোজ দিয়েক আগুৱাই আহি' চেণ্ট মাৰ্টিন' নামৰ সৰু নগৰ খনৰ ফালে চাই ৰলো—আমি তেতিয়া নক্ষত্ৰ গতিৰে এই নগৰ খনৰ ফালেই আগবাঢ়ি গৈছোঁ।

নগৰখন অন্যান্য সৰু সুৰা পোতাশ্ৰয়ৰ দৰেই। মহাদেশৰ চাৰিওফালে বাঢ়ি যোৱা, দ্বীপ বিলাকৰ ৰাজধানীৰ দৰেই এই নগৰখন—এটা ভৰি যেন দীঘলীয়াকৈ পানীৰ মাজলৈ সোমাই গৈছে আৰু আনটো ভৰিৰে পাৰত থিয়দি আছে। মাছ, কুকুৰা, শাক-পাচলি, ফল-মূল আৰু শামুক—সাধাৰণতঃ এই বিলাকৰেই জীৱনযাত্ৰা নিৰ্ব্বাহ হয়। দ্বীপটো বৰ দ, অলপ অচৰপ খেতিবাতিৰো চিন আছে। অধিবাসীৰ সংখ্যা বৰ বেছি। ভিতৰৰ খবৰ বিশেষ মই একো লোৱা নাছিলো।

খোৱা-বোৱা শেষ কৰি ওচৰতে অলপমান তহলি ললোঁ। তেতিয়া ভাটাৰ সময় গতিকে সাগৰ বাগৰি ক্ৰমান্বয়ে আঁতৰি গৈছে। দূৰত—বহুত দূৰত পানীৰ ওপৰত যি বস্তুটো এটা পাহাৰৰ দৰে দেখা গৈছিল বালিৰ ওপৰেদি সেই মু'ৱাকৈ বাট ললো।

ধুৱঁলি-কুৱলি মুকলি ঠাই—তাৰ ওপৰেদি দক্ষিণা লোৱা খোজ ধৰিছোঁ। টাট্‌কা মঙহৰ দৰেই মাটি ডোখৰ যেন কোমল, প্ৰত্যেক খোজতে ভৰি তলুৱাত তাৰ জেঁকা পৰশৰ উমান পাইছোঁ। এই ঠাইখিনিও অলপ আগতে সাগৰৰ পেটত আছিল—কিন্তু সেই সাগৰ বহুত দূৰলৈ পিছুৱাই পৰিছে—প্ৰায়েই চকুৰ আঁৰলৈ আঁতৰি গৈছে। বালি আৰু পানীৰ সীমান্ত ৰেখা ডালো আৰু এতিয়া চকুৰে মনিব নোৱাৰাত পৰিছেগৈ। ই যেন কিবা ছাঁয়া বাজিহে। এখন অদ্ভুত আৰু অস্বাভাবিক ৰহস্যৰ আঁৰ কাপোৰ চকুৰ আগৰ পৰা লাহে লাহে আঁতৰি গৈছে। এই মাত্ৰ বিশাল আটলাণ্টিক আছিল মোৰ সমুখত, এক মুহূৰ্ত্ততে সি মিলি গল শুকান বালিৰ মাজত। যেনেকৈ নাটঘৰৰ দৃশ্যপট পৰিবৰ্ত্তিত হয়—ঠিক তেনেকৈয়ে এই দৃশ্যটোৰ অৱস্থাও হঠাতে সালসলনি হৈ

শ'ল। মরুভূমির মাজেদি গৈ আছোঁ। নাকত লাগিছিল আহি সাগৱৰ পচা হাবি-বনৰ গোন্ধ, ঢোৱ উগলনিৰ গোন্ধ, সাগৱৰ দাতিৰ উৎকৎ অথচ সুমধুৰ গোন্ধ। বেগৰ কোৱ ক্রমান্বয়ে বঢ়াই দিলোঁ। জাৱৰ অনুভূতি তেতিয়া আৰু নাছিল। অনৱ অচৱ ভগা জাহাজখনৰ ফালে চাই পঠিয়ালো। মই আগবাঢ়ি যোৱাৰ লগে লগে জাহাজখনো ক্রমান্বয়ে ডাঙৰ হৈ গৈছিল।

প্রায় ঘণ্টাদিয়েক খোজ কাঢ়ি জাহাজৰ কাষত উপস্থিত হলোঁহি। দেখিলোঁহি এফালে কাতি হৈ জাহাজখন থিয় দি আছে। প্রকাণ্ড দেহা ঠায়ে ঠায়ে উৱলিবলৈ ধৰিছে। বালিয়ে তাৰ ভিতৰত ভাংনিয়ে আক্রমণ কৰি ৰহিছে। তক্তা সুকঙাইদি ভিতৰ সোমাবলৈ সিহঁতে সহজ বাট বিচাৰি লৈছে। এনেকৈয়ে সিহঁতে অধিকাৰৰ বিশ-চনীয়া পট্টা লৈ গজ গজীয়া হৈ আছে। সেই অধিকাৰৰ ক্ষমতা সিহঁতে যে কোনোবা দিনা তামাদি হবলৈ দিব চেহাৰাৰ পৰা তাৰ কোনো লক্ষণেই দেখা নাযায়। গতিকে বালিৰ মাজতে জাহাজখন শিপা মেলি বহি আছে সমুখ ফাল লেও-সেও কোমল মাটিৰ ভিতৰত সোমাই ৰৈছে। আৰু পাছফালটো আকাশৰ ফালে থিয় দি উঠিছে। স্বৰ্গৰ দেৱতা সকলৰ ওচৰত যেন তাৰ করুণ আবেদন জনাবৰ কাৰণেহে। কলা তক্তাৰ ওপৰত বগা আখৰেৰে লিখা ছটা শব্দ 'মেৰিয়া-জোছেফ'।

সকলোতকৈ আওডলীয়া ফানেদি মই জাহাজৰ মৃতদেহৰ ওপৰত উঠিলোঁ। ডেক পায়ে এটা কুঠৰীত সোমালোঁ। ভগা সুকঙাইদি দিনৰ পোহৰ তাৰ ভিতৰত পৰিছে। চাল-বাৰ খহি পৰা কাঠৰ টুকুৰাবোৰ ভৰা দীঘল শেতা কুঠৰী পোহৰবে উজ্বল হৈ উঠিছে। বালিৰ বাহিৰে ভিতৰত একো দেখিবলৈ নাই। তক্তা পাতৰ এই গুহাটৰ ভিতৰত দেখা পাবা যেনিয়ে তেনিয়ে বালিৰ দ'ম।

জাহাজৰ সম্বন্ধে দুই চাইটা কথা টুকি লবৰ মনেৰে উদং-লিপা এটাৰ ওপৰত বহি পৰিলোঁ। এটা ডাঙৰ সুকঙাইদি যি পোহৰ বেঙাইছিল সেই পোহৰেই মোৰ লিখা কাম চলিছিল। মাজে মাজে কেনেবা ধৰণৰ একোটা অদ্ভুত শীতলতা আৰু নিস্তব্ধতাৰ আৱেশে মোৰ গোটেই অন্তৰ শিঞৰাই তুলিছিল। সেই ভাৱাবেশৰ ভিতৰত যি বহুক্ষময় শব্দৰ কঁপনিয়ে গধুৰ কৰি তুলিছিল লিখা বন্ধ ৰাখি তাৰেহে মই কাণ দিলোঁ। কেঁকোৰা বিলাক জাক পাতি বৃথি ফুৰিছে—সিহঁতৰ ভৰিৰ শব্দ; ঐই প্রাণহীন জন্তুটোৰ ভিতৰত হেজাৰ বিজাৰ জন্তুৱে বাহ সাজিছে—সিহঁতৰ অহা যোৱাৰ শব্দ; পাক ভোঁৰৰে যেনেকৈ কাঠত বিন্ধা দিয়া হয়, তেনেকৈয়ে কিছুমান জীৱই তক্তা-পাত বিলাকত বিন্ধা দিবলৈ লাগি গৈছে—তাৰ আৱাজ—আৰু সিহঁতৰ উশাহ-নিশাহৰ আৱাজ—সকলোৱে জগাই তুলিছে- এটি মৃদু, বিৰামহীন বহুস্বৰ গুণগুণনি।

হঠাৎ ঠিক মোৰ ওচৰতে যেন মানুহৰ মাত শুনিবলৈ পালোঁ। ভূতেই নেকি বুলি চকু খাই উঠিলোঁ। সঁচাকৈ কৈছোঁ—তেতিয়া মোৰ এনেহে ধাৰণা হৈছিল যে সেই ঠাইত হয়তো কেটামান পানীত বুৰি মৰা মানুহ দেখিবলৈ পাম—আৰু সিহঁত আহিছে মোক সিহঁতৰ মৃত্যুৰ বুৰঞ্জী শুনাবলৈকে। থৰদৰকৈ ৰবি ডেকৰ ওপৰলৈ উলটি আহিলোঁ। লগে লগেই চকুত পৰিল জাহাজৰ এদুৱে থিয়হি থকা এজন দীঘল ইংৰাজ ভদ্রলোক আৰু তেওঁৰ লগত তিনিটি ছোৱালী। পৰিত্যক্ত জাহাজৰ ভিতৰত পৰা হঠাৎ মোক ওলাই অহা দেখি, ভূতৰ ভয়ত তেওঁবিলাক মতোঁকৈয়ো বিহ্বল হৈছিল, তাত মোৰ অকণো সন্দেহ নাই। কাৰণ মোক দেখিয়ে একেবাৰে সৰু ছোৱালীটি ৰবি বাপেকৰ কাষ চাপিলগৈ। বাকী দুজনী ছোৱালীয়েও একেবাৰে গাত গা লগাই থিয় দিলে বাপেকৰ ওচৰত। ইংৰাজ ভদ্রলোকজনে কিবা কণ্ঠ বুলি মুখ মেলিছিল মাথোন—কিন্তু কথা হলে নোলাল। এনেকৈয়ে কেৰা চেকেণ্ডো পাৰ হ'ল। তাৰ পিছত তেওঁ কলে—মঁছিয়ে, আপুনিয়েই বোধ কৰোঁ এই জাহাজৰ মালিক?

—হয়—মঁছিয়ে।

—জাহাজৰ ভিতৰখন চাব পাৰোঁনে?

—নিশ্চয়।

ইংৰাজীতে তেওঁ কিবা এটা দীঘলীয়া কথা কলে, তাৰ ভিতৰত 'অনুগ্রহ' এই শব্দটোৰ অর্থহে কেবল মই পৰিগ্রহ কৰিব পাৰিলোঁ। সি যি কি নহওক, তেওঁক সহায় কৰি জাহাজলৈ তুলিলোঁ।

ইতিমধ্যে ছোৱালীকিটিৰ ভয়ো একেবাৰে আঁতৰিছে। আমাৰ সহায়ত সিহঁতো ওপৰলৈ উঠিল। ছোৱালী তিনিটি বেছ সুন্দৰ—বিশেষকৈ ডাঙৰটি। বয়সো বোধ কলো টানিটুনি ষ'ঠৰ বছৰ মান হব। সুন্দৰ সোণৰবৰণীয়া চুলি, চুকুৰ চাৰনি হঠাৎ চকুখোৱা হৰিণীৰ দৰে, মুখলৈ পোনেই ফুলা গোলাপ ফুল পাহি নিচিনা—তেনে আলহুৱা। গাভৰু ইংৰাজ ছোৱালীবিলাক দেখিলে মনত এনে ধাৰণা হয়—সিহঁত যেন সাগৱৰেই জীয়ৰী। তাৰেই দেখা হলে তুমি সঁচাকৈয়ে কল্পনাকেন যে তাই এই গোনে পোনেহে বালিৰ সাগৱৰ মাজৰ পৰা উঠি আহিলে। চুলি বিলাকৰ পৰা বঙা বালিৰ বং তেতিয়াও মোছ মোৱা নাই। বস্তুতঃ তাইৰ কেশৰাশিৰ অসাধাৰণ সৌন্দর্য্য সিহঁতৰ স্নিগ্ধকান্তি—সাগৱৰ গভীৰ বহস্যলোকত যি বিলাকৰ জনম, সেই চুন্নভি, বহুমূল্য অমূল্য বস্তুৰ মণি মুকুতাৰ দৰেই সুন্দৰ।

দেখিলোঁ ডাঙৰ ছোৱালীটিয়ে ফৰাচী ভাষাৰে বাপেকটকৈ বহুত ভালকৈ কথা কব পাৰে। আমাৰ কথাবাৰ্তা তাইহে পৰস্পৰক বুজাই দিছিল। জাহাজ বুৰাৰ ঘটনাটো আদ্যোপান্ত তেওঁবিলাকক বর্ণনা কৰিব লগা হৈছিল। কিছুমান কথা মনতে গঢ়ি পিতি এনে ভাবে ইয়াৰ বুৰঞ্জী মই কলোঁ—বোধ হয় তেওঁবিলাকে ভগ্নদশাৰ সময়ত মৰা জাহাজত উপস্থিত আছিলো বুলিহে ভাবি ললে।

তাৰ পিছত আমি সকলোৱে জাহাজৰ কুঠৰিত সোমাই পৰিলোঁ। ধ্বংসৰ স্মৃতি বিজৰিত ঘৰটোত সোমাইহে তেওঁবিলাকে বিস্ময়ত চিঞৰি উঠিল। তাৰ পিছত বাপেক জীয়েক চাৰিও তেওঁবিলাকৰ 'স্কেটচ' বুক মেলি লৈ এই পৰিত্যক্ত করুণ দৃশ্যটোৰ ছবি আঁকিবলৈ লাগি গল।

এছটা ডাঙৰ তক্তা পাতৰ ওপৰত তেওঁবিলাক চাৰিও ওচৰা ওচৰিকৈ বহিছে। আঁঠোটা আঁঠুৰ ওপৰত চাইটা 'স্কেটচ বুক। চাৰিডাল পেন্সিলে বেখাৰ পিছত বেখা আঁকি ফুটাই তুলিছে মেৰিয়া জোছেফৰ বিধ্বস্ত অভ্যন্তৰ ভাগ। মধ্যে মোৰ কাম আৰম্ভ কৰি দিলো। ধ্বংসাবশেষৰ বিলাক পর্য্যবেক্ষণ কৰিবলৈ লাগি গলোঁ। কামৰ মাজতে আহি ডাঙৰ ছোৱালী টিয়ে মোৰ লগত ছবাঘ এসাৰকৈ কথা হবলৈ ধৰিলেহি।

তাৰ পৰাই মই জানিব পাৰিলোঁ যে, তেওঁবিলাকে জাৱৰ দিনকিটা কটাবৰ কাৰণে 'বিয়বিজ'লৈ আহিছে। আৰু তাৰপৰাই এতিয়া আহিছে 'আইল-ডি-দেৰ এই জাহাজ বুৰা দুখ চাবৰ কাৰণে।

ইংৰাজ জাতিৰ ই জাতীয়তাৰ স্বভাৱ। ইংলণ্ডৰ মিবিলাক নতুনত্ব প্রয়াসীয়ে পথকেই সিহঁতৰ ঘৰ লৈ লৈছে,—আৰু এই ভাগেই পৃথিবীৰ সকলো অংশতে বিয়পি পৰিছে। এওঁবিলাকো আছিল সিহঁতেই দলৰ। ইংৰাজ ভদ্রলোকজনৰ গঠন আছিল দীঘল আৰু ক্ষীণ, বঙা মুখৰ ওপৰত এজোৰা বগা গোঁফ; ছোৱালী কিজনীৰ ভৰি দীঘল, অলপ অচৰপা বগৰিব লগতো বিজাৰ পাৰি—গাও পাতল। কিন্তু ডাঙৰ ছোৱালীটে অসাধাৰণ সুন্দৰী।

তাইৰ ফৰাচী ভাষা, তাইৰ কথাপতাৰ ধৰণ, তাইৰ হাঁহিৰ ভঙ্গিমা, তাইৰ কথা বুজিব পৰা আৰু নোৱাৰা, তাইৰ প্রশ্নবোধক চাৱনি—এই সকলো বিলাকৰ ভিতৰত আছিল এটি আচুতীয়া ভাব সনা। চকু আছিল তাইৰ নীলা—একেবাৰে গভীৰ সাগৱৰ পানীৰ নিচিনা।

ছবি আঁকাৰ মাজে মাজে গেন্সিল বাৰি তাই মুৰ ডাঙি ভাবি লয় কি কথা কোৱা হৈছে—কেতিয়াবা উত্তৰ দিয়ে—হয়, কেতিয়াবা—নহয়। তাইৰ সেই সংক্ষিপ্ত কথা শুনিবৰ কাৰণেই তাইৰ সেই অনুপম অঙ্গী ভঙ্গী চাবৰ কাৰণেই অনন্ত কাল হয়তো তাতে মই নিশ্পন্দহৈ থিয়হি থাকিব পাৰিলো হেঁতেন।

হঠাত তাই চিঞৰি উঠিল—সেইটো জাহাজৰ ভিতৰত কিহৰ শব্দ। সঁচাকৈয়ে এটা শব্দ আহি মোৰ কাণো

চুলেছি—যাতে জান-নেজান শব্দ,—কোনোবাই যেন ফুচফুচাই ক্রমাগত কথা কৈ গৈছে। থিয়দি এটা সুকৰাইদি বাহিবৰ ফালে চাই পঠিয়ালোঁ—লগে লগে এটা অস্ফুট আৰ্ত্তনাদ মুখৰ পৰা ওলাল। সাগৰ ভাগি উলটি আছিছে। টোৱে আহি জাহাজখন বেঢ়ি পেলাইছেহি—সেই টো ডেকৰ ওপৰেদি বাগৰি লৰি গৈছে পাৰৰ ফালে। লৰি মোৰা বুলিলেও ঠিক নহয়—বাগৰি বাগৰি জপিয়াই জপিয়াই পানীৰ এটা বিৰাট দেহ চৌদিগ বিয়পি পৰিছে। বালিৰ ওপৰত পানীৰ গভীৰতা তেতিয়াও কেই ইঞ্চি মানতকৈ বেচি নহয়—কিন্তু আমাক চেৰাই পাৰৰ ফাললৈ সি আগুৱাই গৈছে বহুত দূৰলৈকে।

ইংৰাজ ভদ্ৰলোকজনে তৎক্ষণাৎ নামি যাবৰ কাৰণে ব্যতিব্যস্ত হৈ পৰিল, কিন্তু মই তেওঁক বাধা দিলোঁ। পলাই সৰা একেবাৰে অসম্ভৱ। বাটত মাজে মাজে দ দ স্মৃতি আছে। আহিবৰ সময়ত সেইবিলাক অনায়াসে অতিক্ৰম কৰি আহিছো। কিন্তু এতিয়াতো বুজিব নোৱাৰিম—উলটাবৰ চেষ্টা কৰিলে তাত বুৰি মৰা অনিবাৰ্য্য।

গভীৰ দুৰ্ভাবনাবে হৃদয় ভৰি উঠিল। ডাঙৰ ছোৱালীটিয়ে এটি অস্থায়ী ধৰণৰ হাঁহি মাৰি কলে—তেনেহলে আমিয়েই হলো জাহাজত এবা পৰা বিলাকৰ শেষ দল।

হাঁহিবৰ চেষ্টা কৰিলোঁ নহয়। কিন্তু যেনেকৈ নিশব্দে জোৱাৰৰ ঢৌৱে আহি আমাৰ সকলোকে আগুৰি ধৰিছিল ঠিক তেনে নিশব্দে এটা আসন্ন ভয়ৰ জড়তাই মোৰ টেঁটু চেপি ধৰিলে। মোৰ মানস পটত আমাৰ বিপদৰ শুকত্ব এক মুহূৰ্ত্ততে মূৰ্ত্ত হৈ উঠিল। এবাৰ ভাবিলো—চিএৰি টেটুফালি সহায় বিচাৰো—কিন্তু শুনিব কোনে আমাৰ সেই অৰণ্যৰোদন।

সৰু ছোৱালী দুটিয়ে বাপেকৰ গাত গা ঘঁহাই থিয় দিলে। সিহঁতে বিহ্বল চাৱনিবে চাৰলৈ ধৰিলে কেনেকৈ সাগৰ আমাৰ চৌদিকে বিয়পি পৰিছে।

ৰাতিৰ এঞ্চাৰ নামি আহিছে—জোকাঁ, বৰফৰ দৰে শীতল এঞ্চাৰ।

কলোঁ—জাহাজৰ ভিতৰত অপেক্ষা কৰাৰ বাহিৰে আৰু উপায় নাই।

ভদ্ৰলোকজনে উত্তৰ দিলে—হয়।

পোন্ধৰ মিনিট—আধা ঘণ্টা—জেনাংনা কিমান সময় নিস্তব্ধ ভাবে পাৰ হ'ল। আমাৰ চাৰিও ফালে ঘোলা পানী ওফন্দি উঠিবলৈ ধৰিলে——বুৰবুৰণি উগাৰিবলৈ ধৰিলে—বালিৰ পাৰ আকৌ জয় কৰাৰ গৰ্ব্বত নাচি নাচি পাকঘুৰণি খাবলৈ ধৰিলে।

এজনী ছোৱালীয়ে কলে——জাৱ লাগিছে। বতাহৰ শীতল নিশ্বাস আমাৰ মুখৰ ওপৰত পৰিছিল। ছোৱালীটিৰ কথাত তলৰিলে গৈ কোনো এটি বতাহে নোকোৱোৱা কোঠাত আশ্ৰয় লোৱাৰ কথা মনত পৰিল। তলৰ ফালে চাই পঠিয়ালোঁ। জাহাজৰ সজাৰ ভিতৰত তেতিয়া পানী সোমাইছে। ছাবেঙৰ কোঠাৰ একাষে জড়প্ৰায় হৈ আশ্ৰয় লোৱাৰ বাহিৰে বতাহৰ আক্ৰমণৰ পৰা গা সৰাৰ আৰু কোনো বাট বিচাৰি পোৱা নগল।

এঞ্চাৰে আমাক গিলিপ মাৰি ধৰিছে। আমি কেইটি প্ৰাণী একেঠাইতে থুপথুপীয়াকৈ থিয়দি আছোঁ। চাবিওফালে পানী আৰু নিশাব এঞ্চাৰ। ডাঙৰ ছোৱালীটি মোৰ নিচেই কাষতে। তাই কঁপিছে। দাঁতে দাঁতে লাগি গৈছে। কিন্তু মোৰ মনত এনেহে লাগিছিল, যেন তাইৰ গাৰ সোপাচেই উষ্ণতা মোৰ গোটেই দেহত বিয়পি পৰিছে—আৰু সেই উষ্ণতা যেন তাইৰ চুমাত দৰেই শীতল আৰু মৌ বৰষা।

আমাৰ কাৰো মুখত মাত নাই। অচল অটল হৈ নিশব্দে থিয় দি আছোঁ, বান পানীৰ সময়ত জন্তুবিলাকে এচমকা ঠাইতে যেনেকৈ থিয়দি থাকে, ঠিক তেনেকৈয়ে কিন্তু সেই বুলিও—সেই ৰাতিৰ ঘোপমষা এঞ্চাৰ, পদে পদে ভীষণ বিপদৰ সম্ভাৱনা—এই সকলো জানিও তাত থাকিবলৈ পোৱাটো মোৰ কাৰণে জীৱনৰ শ্ৰেষ্ঠতম সৌভাগ্য বুলিহে ধাৰণা হৈছিল। সেই গহীন এঞ্চাৰে ভৰা উদ্বেগময় দীঘলীয়া সময়খিনিও মোৰ কাৰণে অপূৰ্ব্ব মধুৰতাবে ভৰপুৰ হৈ উঠিছিল।

নিজৰ মনকে সুধিলো—ইয়াৰ মানে কি? কিহৰ

এই আনন্দ বিহ্বলতা? কোনে উত্তৰ দিব এই প্ৰশ্নৰ? ছোৱালীটি কাষতে আছে বুলি কিন্তু তাই কোন? অপৰিচিতা ইংৰাজ জীয়ৰী। তাইক কোনো দিনে ভাল পোৱা নাছিলো আগেয়ে চিনিও নেপাওঁ। মুহূৰ্ত্তৰ ভিতৰতে হৃদয় গলি গল—সম্পূৰ্ণ পৰাজিত হৈ পৰিলে তাইৰ জীৱন ৰক্ষাৰ কাৰণে কৰিব নোৱাৰো মোৰ কাৰণে আজি এনে কোনো কাম নাই।

ওপৰত এঞ্চাৰৰ অসহনীয় নীৰৱতা তলৰ পানীৰ অবিৰাম চাকনৈয়া—হঠাত এটা কান্দোনৰ শব্দ আহি কাণ চুলেহি। এটাইতকৈ সৰু ছোৱালীৰ কান্দোন। বাৰেকে চেষ্টা কৰিছে তাইক নিচুকাবলৈ। তেওঁ বিৰাট নিজৰ ভিতৰতে কথা হৈছিল। সেই ভাষা মোৰ অজ্ঞাত। কেৱল মোৰ মনত এনে ধাৰণা হৈছিল, বাৰেক কৈছে—ভয়ৰ কোনো কাৰণ নাই আৰু ছোৱালী, টিৰ ৰস তাতো কম নাছিল।

মোৰ নিচেই কাষতে থকা ছোৱালীটিক কলোঁ—মেডেমইজেল তুমি সঁচাকৈয়ে বৰ জাৱ পাইছা?

তাই কলে—হয় বৰ জাৱ।

মোৰ অ'ভাৰ কোটটো দিব খুজিলো কিন্তু তাই মৰ নোখোজে। জোৰেৰে গাৰ ওপৰত চোলাটো দি দিলোঁ। তাই বাধা দিবলৈ ধৰিলে। এই ক্ষুদ্ৰ হাত হতিত তাইৰ হাত মোৰ হাতত ঠেকা খাবলৈ লাগিল সেই পৰশনে এটা অবৰ্ণনীয় আনন্দৰ শিহৰণ মোৰ গোটেই শৰীৰৰ শিৰায় শিৰায় জগাই তুলিলে।

কিছুপৰৰ পৰাই ৰতাহৰ তেজ ক্ৰমান্বয়ে বাঢ়িছে জাহাজৰ গাত পানীৰ ঘুন্না আগতেকৈ চৰি আহিছে, থিয় দিলে—মুখত আহি লাগিলহি এচাটি হুবহুবীয়া বতাহ। ঘটনাটো ইংৰাজ ভদ্ৰলোকজনেও লক্ষ্য কৰিছিল তেওঁ কেৱল কলে—এই বতাহ আমাৰ পক্ষে বৰ সুবিধা জনক নহয়।

সুবিধাৰ কথা যে নহয় তাত কোনো সন্দেহেই নাই। সাগৰ যদি আৰু এফেৰা ওফন্দি উঠে, আৰু জাহাজৰ গাত যদি ক্ৰমান্বয়ে হেঁচা দিবলৈ ধৰে—তেন্তে মৃত্যু নিশ্চিত। তক্তাপাত বিলাক ইমান সেৰেঙা হৈ পৰিছে ধুমুহাৰ কোৰ সহিতে আৰু কেতিয়াও সহিব নোৱাৰে—টুকুৰা—টুকুৰা হৈ যহি পৰিব।

বতাহৰ কোৰ চৰাব লগে লগে আমাৰ দুৰ্ভাবনা বাঢ়িবলৈ ধৰিলে। সাগৰৰ ঢৌবিলাক ভাগিবলৈ ধৰিছে এঞ্চাৰৰ মাজেদিও দেখিবলৈ পালো। বগাফেনৰ ৰেখা ওচৰলৈ আহি ক্ৰমে আতৰত মিলি গৈছে। একোটা একোটা ঢৌ আহি লাগিছেহি মেৰিয়া জোছেফৰ গাত তাৰ বিৰাট দেহ উঠিছে কঁপি আৰু সেই কঁপনি গৈ পোনে পোনে জিবনি লৈছেগৈ আমাৰ বুকুৰ মাজত।

ছোৱালীটি কঁপিছিল। সেই কঁপনিৰ হেন্দোলনি মোৰ গাতো লাগিছিল। লগে লগে তাইক আকোঁৱালি লৰৰ কাৰণে এটা উন্মাদ আকাঙ্ক্ষাও উদয় হৈছিল। মোৰ মনৰ কোনোৱা এটা নিভৃত কোণত। দুৰত—বহুত দুৰত—সমুখত আৰু পিছত—সোঁৱে আৰু বাঁৱে লাইট হাউচৰ বগা, নীলা আৰু বঙা গোহৰ জিলিকিছিল; এচকুৱা দৈতৰ সিহঁত চকুৰ দীপ্তি—যেন সিহঁতে ৰ লাগি আমাৰ ফালে চাই আছে—কেতিয়া আমাৰ সলিল সমাধি হব তাৰ প্ৰতীক্ষাত।

মাজে মাজে ইংৰাজ ভদ্ৰলোকজনে ভুইশলা মাৰি জেপৰ পৰা ঘৰী উলিয়াই চাইছিল। হঠাৎ তেওঁ গহীনাই কলে—মঁছিয়ে, মই আপোনাক নতুন বছৰৰ শুভ ইচ্ছা জনাইছোঁ।

মাজ নিশা। মোৰ হাত তেওঁৰ ফালে আগবঢ়াই দিলোঁ। মোৰ সেই হাত তেওঁ গ্ৰহণ কৰিলে তাৰ পিছত হঠাৎ তেওঁ কি কলে—লগে লগে চাৰিওজনৰ কণ্ঠস্বৰত বাজি উঠিল 'ৰুল ব্ৰিটেনিয়া' তেওঁ বিলাকৰ সেই গীত গহীন স্বৰ ডাঠ কণীয়া নিস্তব্ধ অন্ধকাৰ ভেদি মহাশূন্যত মিলি গল।

মোৰ এই বিলাক দেখি শুনি হাঁহি উঠিছিল, কিন্তু পিছমুহূৰ্ত্ততে এটা গহীন ভাৰৰ আবেশ মোৰ গোটেই অস্তৱত বিয়পি পৰিল। পবিত্ৰাত্ম অভিশপ্ত বিলাকৰ এই সঙ্গীত এফালে যেনেকৈ অৰ্থহীন আনফালে তেনে অভাৱনীয়—কৰুণ প্ৰাৰ্থনাৰ দৰে—অথচ তাতোকৈয়ো অনেক গুণে উদাৱতা সনা।

গান বল। মোৰ সঙ্গিনীক কলোঁ—তুমি এনে এটা গান গোৱা মেডেমোইজল * যি এই আসন্ন বিপদৰ কথা আমাৰ মনৰ পৰা একেবাৰে পাহৰাই দিব পাৰে—এটা চহাগীত বা কোনো প্ৰেমৰ কাহিনী—যি তোমাৰ ইচ্ছা। তাই সন্মত হল। লগে লগে তাইৰ সুস্পষ্ট তৰুণ কণ্ঠস্বৰে সেই নিৰ্জ্জন ৰাতিৰ বুকুত সুৰৰ নিজৰা জৰাই দিলে। সেই সুৰ কৰুণ বেদনা সনা। তাৰ দীৰ্ঘায়াত ছন্দ তাইৰ হেঙুলী ওঠৰ পৰা লাহে লাহে বাহিৰ হৈ আহত পক্ষীৰ দৰে সাগৰৰ বুকুৰ ওপৰেদি পাখি মেলি অনন্তৰ ফালে ভাহি যাবলৈ ধৰিলে।

সাগৰ খঙাল হৈ উঠিছে। ভগা জাহাজৰ ওপৰেদি ক্ৰমান্বয়ে বাগৰিবলৈ আৰম্ভ কৰি দিছে। কিন্তু মই এতিয়া কেৱল সেই সুৰৰ কথাহে ভাবিছোঁ। মনত পৰিলে চাইৰেনহঁতৰ কথা। কোনো এখন নাও যদি এই বাটেদি যায় তাৰ আৰোহী বিলাকে ভাবিব কি? চাইৰেণ—এয়েইটো সেই চাইৰেণ—সাগৰ জিয়াৰী; এই ভগা জাহাজৰ ভিতৰত তাই আমাক ভুলাই থৈছে আৰু আমাৰ লগে লগেই তায়ো লীন যাব এই ফেনিল সাগৰৰ ঢৌৰ মাজত।

হঠাৎ আমি পাচোঁ জন হামখুৰি খাই পৰিলোঁ—পৰিয়ে বাগৰিবলৈ আৰম্ভ কৰিলো জাহাজৰ ইমূৰলৈ। মেৰিয়া জোছেফ বাওঁ ফাললৈ ভালে খিনি কাতি হৈ পৰিছে। ছোৱালীটি আহি বাগৰি পৰিলেহি মোৰ গাৰ ওপৰত। ব্যগ্ৰ হাত দুখনি মেলি তাইক সাৱটি ললোঁ। ভাবিলো—জীৱনৰ শেষ মুহূৰ্ত্ত যেন চমুচাপি আহিছে। লগে লগে তাইৰ গালে মুখে অজস্ৰ চুমাৰ ৰেখা আঁকি দিলো। তেতিয়া কবই নোৱাৰো কিযে কৰিছো—শক্তিও নাছিল তেনেকৈ ভাবিবৰ।

জাহাজখন আৰু বেছি কাতি নহল। গতিকে তেতিয়াৰ কাৰণে আমাৰো বাগৰা বন্ধ হ'ল। বাপেকৰ মাত শুনা গল। —তেওঁ মাতিছে—এমি!

মোৰ বাহু বন্ধনৰ মাজৰ পৰাই তাই মাত দিলে—কি? তাৰ পিছত তাই মোৰ হাতৰ বান্ধোন ছিঙি মুক্তিৰ কাৰণে চেষ্টা কৰিবলৈ ধৰিল। তেতিয়া পেটে পেটে হয়তো কামনা কৰিছিলো—এই মুহূৰ্ত্ততে জাহাজখন চূৰ্ণ বিচূৰ্ণ হৈ বুৰি যাওক। আৰু এমিৰ লগতেই ময়ো অতল সমুদ্ৰৰ গৰ্ভত লীন যাঁও। ইংৰাজ ভদ্ৰলোকজনৰ কণ্ঠস্বৰ আকৌ শুনা গল। তেও কৈছে—কেৱল অলপ বাগৰা হ'ল—আন হানি বিঘিনি একো ঘটা নাই। মোৰ ছোৱালী তিনটি তেওঁ জীয়াই আছে।

ডাঙৰ ছোৱালীটি নেদেখি হয়তো তেওঁ ভাবিছিলে, সেই আকস্মিক হেঁচাত তাই বাগৰি পানীত পৰি গল বুলি।

লাহে লাহে থিয়ো দিলোঁ। হঠাৎ আমাৰ সমুখত সাগৰৰ গৰ্ভত জিলিকি উঠিল এটা পোহৰ—একেবাৰে আমাৰ জাহাজৰ কাষত। চিঞৰি মাতিলো—উত্তৰ আহিল লগে লগেই। আমাৰ অদূৰ দৰ্শিতাৰ কথা আঁচনি কৰিয়েই হোটেলৰ মালিকে এখন নাও পঠিয়াই-দিছিল আমাৰ অনুসন্ধানৰ কাৰণেই।

আমাক উদ্ধাৰ কৰি নাও উলটি আহিল ছেণ্ট-মাৰ্টিনলৈ। এই যাত্ৰালৈ ৰক্ষা পৰিলোঁ। কিন্তু আনন্দৰ বিনিময়ে মোৰ মন বেদনাৰে বিষাক্ত হৈ উঠিল। হাত পিহি পিহি ইংৰাজ ভদ্ৰলোক জনে কলে—ৰাতিৰ আহাৰ আজি হব বৰ আৰামৰ—বৰ উপাদেয়।

আহাৰ উপাদেয় হ'ল সঁচা—কিন্তু সেই বুলি মোৰ মনৰ মেঘ নাতৰিল,—মেৰিয়া জছেফৰ কাৰণেই বুকু ভেদি হা হুমুনীয়াহ উঠিবলৈ ধৰিলে।

ঠিক পিছ দিনাই বিদায়ৰ দিন। আলিঙ্গন আৰু চিঠিলিখাৰ শপতৰ ধুমুহা ববলৈ ধৰিলে। তাৰ পিছত তেওঁবিলাকে বিয়াৰিজৰ ফালে পাৰি দিলে। তেওঁ-বিলাকৰ লগে লগে বিয়াৰিজলৈ যাবলৈ মন বিয়াকুল হৈ উঠিল—সংযত কৰিলো মনক। বান হৃদয়ৰ মৰ্ম্মস্থলেদি সৰকি গৈছিল। এবাৰ ভাবিলো বিয়াৰ প্ৰস্তাৱকে কৰোঁ। সাদিনমান যদি একেলগে থাকিলো হয়, তেন্তে ঘটনাটো যে বিয়ালৈ ৰূপান্তৰ হ'ল হয় তাত মোৰ একেৰিও সন্দেহ নাই। হায় ৰে মানুহে! সময়ে সময়ে তই যে কিমান দুৰ্ব্বল—কিমান দুৰ্ব্বোধ্য হৈ পৰ।

* ফৰাচীভাষাত তিৰোতাক মতা ভদ্ৰতাসূচক সম্বোধন।

তাৰ পিছত দুবছৰলৈ তেওঁ বিলাকৰ কোনো খা খবৰ পোৱা নাই। দুবছৰৰ পিছত হঠাৎ এখন চিঠি পালো নিউইয়ৰ্কৰ পৰা। এমিৰ চিঠি। তাইৰ বিয়া হৈ গৈছে। চিঠিৰে দিছে মোলৈ সেই খবৰ টোকে। তাৰ পিছত আকৌ একত্ৰিশ ডিচেম্বৰত চিঠি পাইছো। তাই মোলৈ লিখে,—তাইৰ জীৱন যাত্ৰাৰ কথা, তাইৰ, লৰা ছোৱালীৰ কথা, তাইৰ ভনীয়েক-হঁতৰ কথা—কিন্তু চিঠিত ভুলতো তাইৰ স্বামীৰ নাম উল্লেখ নকৰে। কিয়?—কোনে জানে কিয়?—মই কিন্তু তাইলৈ লিখোঁ কেৱল মেৰিয়া জোছেফৰ কাহিনী। ....সম্ভৱতঃ একমাত্ৰ তাইকেই মই অন্তৰৰে ভাল পাইছিলো.....নহয় ....যাক মই সঁচাসচি ভাল পোৱা বিলাব পাৰিলোহেতেন। অথবা...কোনে জানে। ঘট-নাৰ সোঁতে মানুহক উটোৱাই লৈ যায়।.....তাৰ পিছত.....তাৰ পিছত, সেই খিনিতেই পৰে যবনিকা। তাই নিশ্চয়েই এতিয়া প্ৰৌঢ়ত্বৰ সীমা অতিক্ৰমি গৈছে ...দেখিলেও হয়তো মই চিনিব নোৱাৰিম।...সেই সিদিনাৰ ছোৱালী.....মোৰ সেই জাহাজ বুৰাৰ সঙ্গী। হায় ৰে মানুহ! তাই লিখিছে আজি কালি তাইৰ চুলি মাজে মাজে দুডাল চাইডাল পকিছে—সেই চুলি যিবিলাক সিদিনাও সোণাৰ দৰে জিলিকি আছিল। মনে এই বাতৰি মানি লব নোখোজে। মোৰ সেই সপোনৰ ধন—এই ভাগে আহৰি হব, ইয়াতকৈ আৰু দুৰ্ভাগ্য মানুহৰ ভাগ্যত কি হব পাৰে! *

* মোঁপাছাৰ অনুকৰণত—লিখক

প্ৰাচীন ভাৰতীয় আয়ুৰ্ব্বিজ্ঞান

—ডাঃ শ্ৰীযুত সন্তোষ কুমাৰ চক্ৰবৰ্ত্তী এম্-বি

এজন বিখ্যাত ঔপন্যাসিকে কৈছে যে পুৰণি কালত মানৱ জাতিৰ মাজত সকলো ঠাইতে একেৰকমৰ কিছুমান প্ৰথা প্ৰচলিত আছিল। নৃত্য কলা, যুদ্ধবিদ্যা, খনন কাৰ্য্য, ধৰ্ম্ম সম্বন্ধীয় পূজা, পাৰ্ব্বন আৰু গীত বাদ্য প্ৰভৃতি তেনে কিছুমান প্ৰথাৰ কথা তেওঁ উল্লেখ কৰিছে। নিদানী ঔষধেৰে (Nostrum) কৰা চিকিৎসা আৰু ৰোগীৰ প্ৰাথমিক শুশ্ৰূষাকো সেই বিলাকৰ লগতে ধৰিব পাৰি। দৰা চলতে, মানুহৰ সমাজত অতি প্ৰাচীন কালতে চিকিৎসাৰ সহজ প্ৰণালী কিছুমান চলিত আছিল। ইয়াত বাহিৰেও, মানৱ সভ্যতাৰ আদি অৱস্থাতে জন দিয়েক বিচক্ষণ পৰ্য্যবেক্ষণশীল লোকে চিকিৎসা কাৰ্য্যত হাত দিছিল। এই কথা ভাবিলে আচৰিত হব লাগে যে আজি কালিও যি বিলাক মানুহে কৃষি নাইবা কোনো পুৰণি কলীয়া শিল্প কাৰ্য্য আদিৰ দ্বাৰাই জীৱিকা নিৰ্ব্বাহ কৰে সিবিলাকে কটা ঘা, আঘাত পোৱা, পেট-মূৰ কামোৰা আদি সৰু সুৰা নৰিয়া চিকিৎসা কৰিবলৈ সিহঁতৰ সাধাৰণ জ্ঞান পৰিচালনা কৰি কিছুমান উপায় উদ্ভাৱন কৰিছে। অৱশ্যে সিবিলাকৰ বেছি ভাগেই কুসংস্কাৰ পূৰ্ণ। সি যিহওক, আমি হোজা গাৱলীয়া মানুহবিলাকৰ ভিতৰত তেনেকুৱা ব্যৱহাৰিক চিকিৎসাৰ জ্ঞান দেখি আচৰিত নহৈ নোৱাৰোঁ। এই বিষয়ৰ দুই এটা দৃষ্টান্ত দিলেই যথেষ্ট হব।—কোনো মানুহক সাপে খুটিলে তেওঁলোকে খোটা ঠাইৰ ওপৰতে ধৰণী বান্ধে। বহুত গাৱলীয়া বেজে নাৰেঙা আদি কঠিন ব্যাধিবিলাক দক্ষতাৰে কাটে। দক্ষিণ ভাৰতৰ কোনো কোনো মানুহৰ ঠেঙ্গত এবিধ চুলিৰ নিচিনা সৰু ১২ ফিটমান দীঘল পোকৰ উদ্ভৱ হয়,তাক ইংৰাজীত 'গিনি ওৱাৰ্ম'(Guinea worm) বোলে। সেই ঠাইৰ মানুহে তাক কাটি নাইবা

এবিধ, পিতলৰ নলীৰ সহায়ত মুখেৰে চুহি সেই পোক বিলাক উলিয়াই পেলায়। অৱশ্যে এনেবোৰ চিকিৎসা সম্পূর্ণ বিপদ শূন্য নহয়। এনে দৃষ্টান্ত বাঞ্ছেও, ভাবতত, বিশেষকৈ এই তন্ত্ৰ-প্ৰধান কামৰূপ বাজ্যত, কিছুমান সক সুৰা ঔষধ অতীজ কালেৰে পৰা চলি আহিছে। যুৰোপত আবিষ্কাৰ হোৱাৰ বহুত আগেয়ে আধুনিক ভিষক্ শাস্ত্ৰৰ (phara copoeia)কিছুমান অতি লাগতিয়াল দৰৱ আমাৰ দেশৰ মাইকী মানুহ বিলাকেই জানিছিল। স্বাস্থ্য বক্ষাৰ কিছুমান উত্তম নিয়ম বহুদিন ধৰি আমাৰ মানুহৰ জনা আছে। কিন্তু সেইবিলাক যথা নীতি পালন কৰা হলে গ্ৰীষ্মদেশ জাত বহুত বোগৰ, পৰা তেওঁলোক হাত সাৰি থাকিব পাৰিলেহেঁতেন। বৈদিক গ্ৰন্থত উল্লেখ থকা আৰু স্মৃতিকাৰ মনু মহাৰাজে প্ৰণয়ন কৰা স্বাস্থ্য বক্ষাৰ বহুত কথা আধুনিক স্বাস্থ্য বিজ্ঞানৰ অন্তৰ্ভুক্ত হৈছে।

ভাৰতবৰ্ষৰ সৰ্ব্বশ্ৰেষ্ঠ চিকিৎসা প্ৰণালী আয়ুৰ্ব্বেদৰ গৌৰৱময় দিন কাহানিবাই অতীত হৈ গৈছে। আগৰ কালৰ দৰে আজি কালিৰ বৈদ্যসকলৰ আৰু সংস্কৃত ভাষাত সেই গভীৰ পাণ্ডিত্য নাই। সেই দৰে মুছলমান হাকিম সকলবো আৰবী ভাষাৰ জ্ঞান সীমাবদ্ধ। তথাপি বোগত যাতনা ভুঞা অসংখ্য লোকৰ চিকিৎসা আজিও এই বৈদ্য আৰু হাকিম সকলৰ দ্বাৰাই হব লাগিছে।

আজি কালি আয়ুৰ্ব্বেদ সম্বন্ধে বহুত পুথি আৰু প্ৰবন্ধ প্ৰকাশিত হৈছে কিন্তু সেই বিষাকত আয়ুৰ্ব্বেদৰ ঐতিহাসিক কাল নিৰূপণ আৰু আন আন লাগতিয়াল বিষয়ে মতৰ অনৈক্য বহুত দেখা যায়। আমি বৰ্ত্তমান প্ৰসঙ্গত আয়ুৰ্ব্বিজ্ঞানৰ বিষয়ে দুই চাৰিটা লাগতিয়াল কথা আলোচনা কৰিব খুজিছোঁ। প্ৰধানকৈ, আয়ুৰ্ব্বেদ শাস্ত্ৰৰ ওণাগুণ বিচাৰ কৰিবলৈ আমি তাৰ এনে কেইটামান কথা আলোচনা কৰিবলৈ চেষ্টা কৰিম যিবিলাকৰ বিজ্ঞানৰ ফালৰ পৰা বিশেষ মূল্য আছে আৰু যিবিলাকৰ বিষয়ে বিশেষজ্ঞ সকলৰ মাজত সচবাচৰ মতৰ বিবোধ দেখা যায়।

পাঁচশ বছৰৰ আগেয়ে ভাৰতবৰ্ষৰ হিন্দু নাইবা মুছলমান চিকিৎসক সকল যুৰোপীয় বৈদ্য সকলতকৈ যে অনেক বিষয়ত শ্ৰেষ্ঠ আছিল তাত সন্দেহ নাই। ভাৰতীয় বৈদ্যবাজ চৰক আৰু সুশ্ৰুতক, তেওঁলোকৰ বহুত পাছৰ প্ৰসিদ্ধ গ্ৰীক চিকিৎসক হিপ ক্ৰেটেছ (Hippocrates) প্ৰভৃতিৰ লগত একে শাৰীতে আসন দিবলৈ কাৰো আপত্তি নাই। আয়ুৰ্ব্বেদীয় চিকিৎসক সকলেই জয়ে জয়ে দেহতত্ত্ব (Physiology) আৰু সংপ্ৰাপ্তি বা বোগ লক্ষণ তত্ত্বৰ (pathology) আলোচনাত মন দিয়ে। মানুহ আৰু আন আন জন্তুৰ শৰীৰ-গঠন প্ৰণালীৰ বিষয়ে এওঁলোকেই পোনতে পৰ্য্যবেক্ষণ আৰম্ভ কৰে। আজি কালিৰ আপেক্ষিক সূক্ষ্ম বিচাৰৰ ভিত্তিত প্ৰতিষ্ঠিত দেহ গঠন তত্ত্ব (Anatomy) তেওঁলোকৰ সেই প্ৰাথমিক চেষ্টাবেই ফল। অতীজ কালতে তেওঁলোকে বিবিধ বোগৰ লক্ষণাবলী সুনিয়মিত ভাবে পৰ্য্যবেক্ষণ কবিবলৈ ধবিছিল। নৈষ্টিক হিন্দুসকলে বিশ্বাস কবে যে আদিতে সকলো বিদ্যা আৰু বিজ্ঞান আপোনা আপুনি উৎপত্তি হৈছিল। অর্থাৎ কোনো গূঢ় দৈবিক বিধান মতে সিবিলাক মানুহৰ সমাজত আপুনি আবিভূত হৈছিল। আয়ুৰ্ব্বিজ্ঞানৰ উৎপত্তিৰ কাৰণতো তেনে বিশ্বাস বিদ্যমান।

বেদকেই ভাৰতীয় ভিষক্ সাহিত্যৰ প্ৰাচীনতম গ্ৰন্থ বুলিব পাৰি! অথর্ব্ব বেদ বা চতুর্থ শাখা বেদতেই প্ৰধানকৈ বোগ আৰু দৰৱৰ বিষয়ে আলোচনা কবা হৈছে। কিন্তু নানা কাৰণত তাত প্ৰেত তত্ত্বৰ কথাই বিশেষ প্ৰাধান্য লাভ কবিছে,—সহজে চিনিপোৱা কিছুমান বোগৰ প্ৰতিকাৰৰ কাৰণেও তন্ত্ৰ-মন্ত্ৰৰ ব্যৱস্থা দিয়া হৈছে। বেদত উল্লেখ থকা বৈদ্য সাহিত্যৰ সকলো কথাই তেনেকুৱা যুক্তিহীন অমূলক নাছিল। উদাহৰণ স্বৰূপে দেহগঠন তত্ত্ব ওপবত কোৱা বিধৰ দৰে নাছিল। সেই সময়ত দেহগঠন-তত্ত্বই (Anatomy) বিশেষ উন্নতি লাভ কবিছিল। হিন্দু বৈদ্য শাস্ত্ৰৰ এই ডোখৰ কাৰণ কথা বহুল ভাৱে আলোচনা কৰা নিষ্প্ৰয়োজন। সেই কাৰণে এই কথা ইমানতে এৰি চৰক, সুশ্ৰুত আৰু বাগভট্টৰ সময়লৈকে অহা যাওঁক।

বাগভট্টই যদিও বৈদিক শাস্ত্ৰৰ ওপবতে বেছিকৈ নির্ভৰ কবিছিল তথাপি তেওঁ আয়ুৰ্ব্বেদ চৰ্চ্চাত আন বিশাকতকৈ অধিক সুখ্যাতি লাভ কবিছিল। চৰক প্ৰভৃতিৰ আবির্ভাবৰ সময় কেবল অনুমানৰ ওপবতহে নিৰ্ভৰ কবিব পাৰি। সুশ্ৰুতে অনুমান খৃঃ পূঃ ৬ শতাব্দীত তেওঁৰ সংহিতা বচনা কবে। তেওঁ অস্ত্ৰ চিকিৎসক আছিল আৰু বোধ হয় কাশিত বাস কবিছিল। সুশ্ৰুতৰ এশ কি দুশ বছৰ পিছত চৰকৰ আবির্ভাব হয়। তেওঁ কাশ্মিৰত বাস কবিছিল বুলি অনেকে বিশ্বাস কবে। তেওঁ অস্ত্ৰ চিকিৎসাত কৈ সাধাৰণ চিকিৎসাতহে বেছি পাৰদর্শী আছিল। বাগভট্ট তেওঁলোকৰ বহুত পাছৰ কালৰ মানুহ। বোধহয় তেওঁ খৃষ্টীয় ৩ য় শতিকাত জীয়াই আছিল। এই তিনি গৰাকী লিখকৰ গ্ৰন্থবে পৰাই আমি আধুনিক আয়ুৰ্ব্বেদীয় চিকিৎসা প্ৰণালীৰ বিষয়ে সকলো কথা জানিব পাৰোঁ। এই তিনিও জনৰ ভিতবত সকলোতকৈ অধিক আৱশ্যকীয় হৈছে সুশ্ৰুতৰ গ্ৰন্থ।

তেওঁলোকে আটায়ে বেদক ঐশ্বিক নিদানভূত বুলি বিশ্বাস কবাৰ বাবে আৰু আয়ুৰ্ব্বেদ চৰ্চ্চাত বেদৰ নির্দ্দেশ অন্যান্য বুলি অজৰ দৰে অনুসবণ কবাৰ বাবে তেওঁ লোকৰ উন্নতিৰ সুস্থিৰ গতিত অৱশ্যে বাধা পবিছিল। তথাপি, মানৱ সভ্যতাৰ সেই চালুকীয়া অৱস্থাতে তেওঁলোকে চিকিৎসা বিজ্ঞানৰ ইমান খিনি উন্নতি কবা কথা ভাবিলে আচবিত হব লাগে। তেওঁলোকৰ পৰবর্ত্তী আয়ুৰ্ব্বিজ্ঞান আৰু আন আন ক্ষেত্ৰৰ প্ৰবীণ চিন্তাশীল কৰ্ম্মীসকলে, পূৰ্ব্ববর্ত্তী সকুল দোষগুণ বিচাৰ কৰি, স্বাধীন চিন্তাৰ আশ্ৰয় লোৱা হলে আমাৰ বিজ্ঞান শাস্ত্ৰৰ বুৰঞ্জীয়ে বেলেগ ফালে ঢাল ললেহেঁতেন। কিন্তু প্ৰাচীন শাস্ত্ৰৰ অনুশাসনলৈ তেওঁলোকৰ শ্ৰদ্ধা বৰ গভীৰ আছিল। মূলঘাৰ মূলক হলেও শাস্ত্ৰৰ কৰ্ত্তৃত্ব অগ্ৰাহ্য কবি কোনেও স্বাধীন ভাৱে চিন্তা কবিব খুজিছিল। শেহতৰত, উনবিংশ শতাব্দীতহে পাশ্চাত্য জগতত স্বাধীন চিন্তামূলক বিজ্ঞান চৰ্চ্চাৰ বিবাট আন্দোলনৰ সূত্ৰপাত হয়।

আগেয়ে কোৱা হৈছে যে ভাৰতত প্ৰাচীন যুগতেই দেহ গঠন তত্ত্বৰ (Anatomy) সবিশেষ উন্নতি হয়। হৈদিক যুগত কেৱল অস্তিত্ত্ববহে (Osteology) বিচাৰ হৈছিল। কিন্তু সুশ্ৰুতৰ সময়ত মোটামুটি বকমৰ শৱব্যবচ্ছেদ কার্য্যৰ আৰম্ভ হয়। সুশ্ৰুতৰ ব্যবচ্ছেদ প্ৰণালী নিচেই সাধাৰণ আছিল। ব্যবচ্ছেদ কবিব খোজা শৱটো দিন চেবেক নৈৰ পানীত চুবাই থোৱা হৈছিল। তাৰ পাছত এচণা চোকা বাঁহেবে তাক বখলিওৱা হৈছিল। ইয়াত বাহিবেও মাজিক ব্ৰাহ্মণ সকলে দেৱতাৰ আগত বলি কটা ছাগলী আৰু গোঁবা আদিৰ শৰীৰৰ গঠন প্ৰণালী পৰ্য্যবেক্ষণ কবিছিল আৰু অন্য বিলাকৰ হাড় মুৰ আৰু আভ্যন্তবিক ইন্দ্ৰিয়াদিৰ কথা পুথিত লিখি থৈছিল। এই দবে সেই সময়ত দেহ-গঠন তত্ত্বৰ আয়তন বৃদ্ধি হৈছিল।

পুবনি কলীয়া বৈদ্য সকলে শৰীৰবিজ্ঞান (Physiology) চৰ্চ্চাত সবিশেষ উন্নতি কবিব পবা নাছিল। তেওঁলোকে মস্তিষ্ক, বাস্তবজ্জু (Spinal chord) হাওঁ ফাওঁ, হৃৎপিণ্ড, মূত্ৰগ্ৰন্থি, যকৃত-প্লীহা আদি ইন্দ্ৰিয়ৰ ভিন্ ভিন্ কার্য্যৰ কথা অতি অলপতে জানিছিল। তেওঁ লোকে ভাবিছিল যে হৃৎপিণ্ডটো বসৰ (chyle) ভঁৰাল আৰু প্লীহা-যকৃত তেজৰ ভঁৰাল। তেওঁলোকে আকৌ হৃৎপিণ্ডটোক উশাহ-নিশাহ আৰু মনৰ কেন্দ্ৰস্থান বুলিও বিশ্বাস কবিছিল। তেওঁলোকৰ মতে সমস্ত শৰীৰৰ সাৰ স্বৰূপ ওজঃ নামক পদাৰ্থৰ কেন্দ্ৰ স্থানো এই হৃৎপিণ্ডই। বৈদিক যুগত শৰীৰ বিজ্ঞান (Physiology) আৰু দেহ-গঠন তত্ত্বৰ (Anatomy) আলোচনা যদিও আংশিককপেহে হৈছিল তথাপি তাকেই ভিত্তি কবি পিছৰ কালত বোগক্লিষ্ট জনসমাজৰ মঙ্গলৰ কাৰণে নানা প্ৰকাৰ ঔষধ আবিষ্কাৰ কবিব পবা হৈছিল। এই বিষয়তো মানুহে কেৱল চিন্তাৰ ওপবতহে নির্ভৰ কবিছিল। তাৰ ফল এই হৈছিল যে কোনো বৈজ্ঞানিক প্ৰমাণৰ সহায় নোলোৱাকৈয়েই ইচ্ছা মতে নানা জনে নানা ব্যৱস্থা কবি গৈ গৈছে।

ভাৰতবৰ্ষত প্ৰধানকৈ তিনটা ঋতুৰ প্ৰভাৱ দেখা যায়। এই তিনটা ঋতু পবিবর্ত্তনকে লক্ষ্য কবি ভাৰতীয় বৈদ্য সকলে মানুহৰ বাত, পিত্ত, কফ এই ত্ৰিদোষৰ বিষয়ে ধাৰণা কবিছিল। কঠোৰ জ্ঞানত যি যি বেমাৰ হয় তেওঁলোকে তাৰ কাৰণ বাত বুলি ধবিছিল। পিত্তক

গৰম বা উত্তাপৰ লগৰীয়া বুলি ধৰা হৈছিল আৰু তাৰপৰা উৎপন্ন হোৱা ৰোগবিলাকক 'পিত্তাধিক্য' বা পিত্ত প্ৰধান ৰোগ বোলা হৈছিল। বাৰিষা হোৱা ৰোগবিলাকক শ্লৈষ্মিক বা কফ প্ৰধান ৰোগ বোলা হৈছিল।

আয়ুৰ্ব্বেদ শাস্ত্ৰৰ আন এটি তথ্য হৈছে মানুহৰ ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা, আৰু শুক্ৰ—এই সপ্তধাতু। এই বিলাক কথালৈ মন কৰিলে বুজা যায় যে প্ৰকৃত চিকিৎসা বিজ্ঞানত আয়ুৰ্ব্বেদ বহুত আগবাঢ়িছিল। এই কথা ইয়াতে এৰি এতিয়া আমাৰ আলোচ্য বিষয়ৰ অইন ফাল চাওঁহঁক।

পুৰণি হিন্দু চিকিৎসক সকলে ৰোগ নিৰ্ণয়ৰ কিছুমান মূলতত্ত্ব নিৰূপণ কৰিছিল। তেওঁলোকে ৰোগৰ গতি চাই (Palpatim) হাওফাও, পেট আদিৰ শব্দ শুনি (Auscultation). আৱশ্যক হলে গোন্ধ আৰু আস্বাদৰ সহায় লৈ ৰোগ নিৰ্ণয় কৰিছিল। তদুপৰি সহজতে চকু পৰা ৰোগৰ বাহ্যিক লক্ষণ বিলাকলৈ মন কৰিছিল। কোনো কোনো ৰোগত ৰোগীৰ বংশ বুৰঞ্জীও বিবেচনা কৰি চাইছিল। আজি কালি যিবিলাকক ৰোগৰ সাধাৰণ লক্ষণ বুলি ধৰা হয় তাৰ বহুতক সেই সময়ত আনুসঙ্গিক ৰোগৰ (Specific diseases) শাৰীত লেখা হৈছিল। তেওঁলোকৰ ৰোগ নিৰ্ণয় সম্পৰ্কে সূক্ষ্ম আৰু অভ্ৰান্ত পৰ্য্যবেক্ষণৰ বহুত দৃষ্টান্ত দেখা যায় যেনে—শুশ্ৰুতে মেলেৰিয়া জ্বৰৰ বিষয়ে এটা সুচিন্তিত বিবৰণ দি গৈছে। আনকি মহ যে মেলেৰিয়াৰ কাৰণ তাকো তেওঁ কৈ গৈছে। বহুমূত্ৰ ৰোগক আয়ুৰ্ব্বেদৰ ভাষাত মধুমেহ বোলে। ইয়াৰ প্ৰধান লক্ষণ পানীপিয়াহ, দুৰ্গন্ধযুক্ত নিশ্বাস আৰু অলস ভাব বুলি উল্লিখিত হৈছে। বৰ্ত্তমান সময়ত পাৰস্য দেশৰ পৰ্ব্বতীয় জাতিবিলাকৰ মাজত চিতা দিয়াৰ যেনে প্ৰচলন আছে ভাৰত বৰ্ষত বৈদিক যুগতে বসন্ত ৰোগত চিতা দিয়াৰ তেনে প্ৰচলন আছিল।

আয়ুৰ্ব্বেদীয় ৰোগ চিকিৎসা বিধানতো দূৰদৰ্শিতা আৰু গভীৰ যুক্তি প্ৰয়োগৰ চিনাকি পোৱা যায়। চিকিৎসাৰ কাৰণে ৰোগবিলাকক "অক্ষুণ্ণ শক্তি" (Sthetic) বা যি ৰোগত শৰীৰৰ শক্তি নকমে আৰু "ক্ষুণ্ণ শক্তি" (Asthetic) বা যি ৰোগত শৰীৰৰ শক্তি কমে এই দুই শ্ৰেণীত ভাগ কৰা হৈছিল। অক্ষুণ্ণ শক্তি ৰোগবিলাকৰ কাৰণে জুলাপ দিয়া, বমি কৰোৱা, কাটি বা আন উপায়ে তেজ উলিয়াই পেলোৱা, পিচ কাৰি দিয়া, ঘমোৱা আদি উপায় অবলম্বন কৰা হৈছিল আৰু ক্ষুণ্ণ শক্তি ৰোগ বিলাকৰ কাৰণে পুষ্টি সাধক বা উত্তেজনা কাৰক চিকিৎসাৰ ব্যৱস্থা কৰা হৈছিল।

চৰক আৰু সুশ্ৰুতৰ সময়ত ব্যৱহাৰ কৰা ঔষধৰ কিছুমান বিৰেচক দৰবত (Cathartics) বাহিৰে সৰহ ভাগেই বিষশূন্য আৰু মৃদু আছিল। আয়ুৰ্ব্বেদীয় গ্ৰন্থত বহুবিধ ঔষধীয় লতা গুল্মৰ নাম আছে। সেই বিলাকৰ অনেক এতিয়া বিস্মৃতিৰ গৰ্ভত বিলুপ্ত হৈছে। আৰু কিছুমানক পাশ্চাত্য বৈদ্য শাস্ত্ৰৰ ভিতৰত সুমুওৱা হৈছে। নস্কভমিকা, জাম্বুল, কমলা, ছেনা (Senna) বা সোনা মুখিৰ পাত, আৰু কেষ্টৰ অয়েলৰ নাম দৃষ্টান্ত স্বৰূপে উল্লেখ কৰিব পৰি। আজি কালি ব্যৱহাৰ হোৱা মিক্সাৰ বা মিশ্ৰিত ঔষধ, বৰি, গুৰিদৰব, মলম, অঞ্জন বা কাজল জাতীয় ঘহা দৰব, ফলবৰ্ত্তী, (suppository) কল্ক বা লেপ দৰব (paste) প্ৰভৃতি প্ৰায় সকলো বিধ দৰব সেই সময়তো ব্যৱহৃত হৈছিল। স্বাস্থ্য ৰক্ষাৰ বিধি বিলাকো তেতিয়া মানুহৰ অজ্ঞাত নাছিল। শৰীৰ ভালে ৰাখিবলৈ কি কি নীতি নিয়ম পালিব লাগে, কি পথ্য, কি অপথ্য কেনেকৈ তাক গ্ৰহণ কৰিব লাগে ইত্যাদি কথা বিশদভাৱে শাস্ত্ৰত বিধিবদ্ধ কৰা হৈছিল। নিতৌ দুবাৰকৈ আহাৰ কৰা, সদায় দাঁত পৰিষ্কাৰ কৰা, শৰীৰ চাফ চিকুনকৈ ৰখা, নিকা কাপোৰ পিন্ধা, ব্যায়াম কৰা গা-মলি দিয়া (Massage) শ্ৰমৰ পাছত জিৰণি লোৱা ইত্যাদি স্বাস্থ্য ৰক্ষাৰ নিয়ম বিলাক সৰ্ব্বসাধাৰণে পালন কৰিছিল।

কেৱল পথ্য প্ৰয়োগৰ দ্বাৰাও বহুত নৰিয়া চিকিৎসা কৰা হৈছিল। কোনো কোনো নৰিয়াত উপবাসৰ ব্যৱস্থা দিয়া হৈছিল। কোনো কোনো নৰিয়াত আকৌ এৰাগাখীৰ বা টেঙ্গা গাখীৰ খাবলৈ দিয়া হৈছিল। এই কথা মন কৰিব লগীয়া যে তেতিয়াও উদৰী বা শোথ হলে লোন খোৱা নিষেধ কৰা হৈছিল। পুৰুষত্ব হানিৰ চিকিৎসাৰ বাবে জন্তুৰ অণ্ডকোষ বা জান্তৱ (Andocrine glands) খাবলৈ দিয়া হৈছিল। ইয়াৰ পৰা বুজা যায় যে সেইৰোগ সম্বন্ধে ব্ৰাউন চেকাৰ্ডৰ (Brown Sequard) গৱেষণাৰ ফল তেতিয়াই মানুহে আংশিক ৰূপে জানিছিল।

কিন্তু, অস্ত্ৰচিকিৎসাত হে আয়ুৰ্ব্বেদীয় বৈদ্যসকলে অতি আচৰিত মৌলিকতা আৰু বিশেষ বিচক্ষণতাৰ চিনাকি দিছিল। এই বিষয়ে বহলাই আলোচনা কৰিবলৈ ইয়াত ঠাইৰ অভাৱ; তথাপি চমুকৈ দুই চাৰি আষাৰ কোৱা যাওঁক। দাঁত তোলা, খহকটা আদি সৰুসুৰা কামত, অৰ্ব্বুদ বা টিউমাৰ (tumour) কাটি উলিওৱা একশিৰা আৰু উদৰী ফুটাই দিয়া, অশ্মোচ্ছেদ (Lithotomy) বা মূত্ৰাশয়ৰ পৰা অস্ত্ৰৰ সহায়ত শিল উলিওৱা, কৃত্ৰিম উপায়ে নাকৰ গঢ় লগাই দিয়া (Rhinopasty) আদি ডাঙৰ অস্ত্ৰচিকিৎসা কাৰ্য্য সম্পাদন কৰা হৈছিল। চকুৰ ছানি (Cataract) কটা, গৰ্ভৱতীৰ গৰ্ভৰ পৰা সন্তান উলিওৱা (Ceasarian section) আদি বিশেষ জটিল অস্ত্ৰ চিকিৎসাও প্ৰচলিত আছিল।

উপৰি উক্ত ব্যাধি কটা-ছিঙা কৰিবলৈ যিবিলাক অস্ত্ৰ ব্যৱহাৰ কৰা হৈছিল সেইবিলাক প্ৰস্তুত কৰিবলৈ আচৰিত কৌশল আৰু বিচক্ষণ বুদ্ধি খটাব লগীয়া হৈছিল। সুশ্ৰুতে তেওঁৰ গ্ৰন্থত তেনে ভিন ভিন অস্ত্ৰৰ নামৰ এটা দীঘল তালিকা দিছে। তাৰে কিছুমান অস্ত্ৰৰ কাৰ্য্য কাৰিতা আধুনিক বিজ্ঞানেও সমৰ্থন কৰিছে আৰু তদনুৰূপ অস্ত্ৰ আজিকালি ব্যৱহাৰ কৰা হৈছে।

বৈদ্যসকলে পালন কৰিব লগীয়া কিছুমান নৈতিক উপদেশৰ কথা আয়ুৰ্ব্বেদীয় শাস্ত্ৰত পোৱা যায়। সেই বিলাকৰ বহুতৰ পাশ্চাত্য বৈদ্যৰাজ হিপ ক্ৰেটিছে প্ৰণয়ন কৰা নৈতিক উপদেশৰ লগত তুলনা কৰিব পাৰি। বাস্তৱিকে প্ৰাচীন ভাৰতৰ বৈদ্যসকল গভীৰ নৈতিক জ্ঞান সম্পন্ন আৰু মহৎ চৰিত্ৰৰ লোক আছিল।

পুৰণি ভাৰতৰ বৈদ্যসকল চিকিৎসা বিজ্ঞানত কিমান দূৰ আগবাঢ়িছিল আৰু কিমান সুদূৰ অতীতত এই দেশত চিকিৎসা বিজ্ঞানৰ ভিত্তি স্থাপিত হৈছিল সেই বিষয়ে ওপৰত দেখুওৱা হল। কিন্তু পৰিতাপৰ বিষয় এই যে, ভাৰতীয় বিজ্ঞানৰ আন আন বিভাগৰ নিচিনাকৈ আয়ুৰ্ব্বিজ্ঞানতো প্ৰাচীন বিজ্ঞলোক সকল কিছুমান পুৰণি অন্ধবিশ্বাসৰ বশীভূত হৈ চলিছিল। সেই নিমিত্তে সময়ৰ লগে লগে ভাৰতীয় বিজ্ঞানৰ ক্ৰমোন্নতি হোৱাৰ সলনি অৱনতিহে হৈ আহিছিল।

আগৰ দিনৰ বৈদ্য সকল যে কেৱল চিকিৎসাত হে নিপুণ আছিল এনে নহয় তেওঁলোক একোজন গভীৰ দাৰ্শনিক আৰু প্ৰগাঢ় পণ্ডিতো আছিল। তেওঁলোকে প্ৰাচীন মূল গ্ৰন্থবিলাক পাত পাত কৈ পঢ়ি উপান্ত কৰিছিল। আজি কালিৰ বৈদ্যসকল তাহানিৰ সকলতকৈ অনেক গুণে নিকৃষ্ট।

সি যিহওক, এতিয়া আকৌ, আয়ুৰ্ব্বেদীয় চিকিৎসাৰ পুনৰুন্নতিৰ নিমিত্তে চেষ্টা চলিব লাগিছে। এই উদ্দেশ্যে নানা ঠাইত আয়ুৰ্ব্বেদীয় বিদ্যালয় স্থাপিত হৈছে। এই আয়ুৰ্ব্বেদীয় শিক্ষা প্ৰতিষ্ঠান বিলাকে এতিয়া অকল পুৰণি পদ্ধতিকে ধৰি নেথাকি আধুনিক বিজ্ঞান সম্মত পদ্ধতিৰ ওপৰতে বিশেষ জোৰ দিছে। সিবিলাকৰ বিশ্বাস, অকল পুৰণি প্ৰথাকে সাৱটি ধৰি থাকিলে আয়ুৰ্ব্বেদৰ উন্নতি অসম্ভৱ। এনে সংকল্প অৱশ্যে যুক্তিসঙ্গত আৰু প্ৰশংসনীয় আৰু তাক অনুকৰণ কৰিলে আয়ুৰ্ব্বিজ্ঞানৰ পুনৰুদ্ঘাতি আশা কৰিব পাৰি। কোনো কোনো বিষয়ত প্ৰাচীন চিকিৎসা পদ্ধতি প্ৰশংসনীয় হলেও তাত বহুত আসোঁৱাহ আছিল। প্ৰাচীন পদ্ধতি, আজি কালিৰ সূক্ষ্ম আৰু অভ্ৰান্ত পদাৰ্থ বিজ্ঞান, ৰসায়নবিজ্ঞান, দেহতত্ত্ব, দেহ-গঠন-তত্ত্বৰ দ্বাৰা পৰিপুষ্ট হোৱা নাছিল—সি কেৱল চিন্তা মূলক (Speculative) আছিল। কিছুমান অসাৰ, কাল্পনিক তথ্যই মাথোন তাৰ পথ্য যোগাইছিল। সেই বুলি এতিয়া আমি চিকিৎসা জগতৰ সেই প্ৰাচীন বিজ্ঞলোক সকলৰ অবলম্বিত প্ৰণালী অৱজ্ঞাৰ চকুৰে চোৱা যুগুত নহব;—তেওঁলোকৰ প্ৰতি ন্যায্য সন্মান দেখুৱাই আধুনিক বিজ্ঞান সম্মত প্ৰণালী অনুকৰণ কৰি চলাই উত্তম পন্থা।

বৈজ্ঞানিক জগত

কৃত্রিম উপায়ে পুনর্জ্জীবন

আমেবিকাব প্রফেছাব য়্যাণ্ডেল হেণ্ডাবছন এজন বিখ্যাত ফিজিয়লজিষ্ট আৰু উশাহ-নিশাহব (respiration) বিশেষজ্ঞ। এখেতে কৃত্রিম উপায়ে উশাহ-নিশাহ আনি



কৃত্রিম উপায়ে উশাহ-নিশাহ অনা যন্ত্র

কোনো দুর্ঘটনা ক্রমে নাই বা পানীত ডুবি হঠাৎ হাওফাওব ক্রিয়া বন্ধ হোৱা মানুহক পুনর্জ্জীবিত কবিবলৈ এটি উন্নত ধবণব যন্ত্র উলিয়াইছে। এই যন্ত্রটি আমাব ঢেঁকি নাইবা ইংবাজী 'চ্ৰী-স' (see-saw) খেলব প্রণালীত সজা। যন্ত্রটিব ওপবত মানুহটো শুলাই লৈ ভবি তলুবা আৰু কান্ধত ঠিলা লগাই পবিব নোৱাবাকৈ লোৱা হয়। তাব পিছত দুগো ফালে ৩০° ডিগ্রী পবিমাণ কোণলৈ তোলা-নমা কবা হয়। তেনে কবিলে দেহিয়া মুব তললৈ হয় আৰু ভবি ভাগ ওপব উঠে দেহিয়া তলপেট আৰু নাড়ী-ভুবি 'ডায়ফ্রামত' (diaphragm) হেঁচা দি নিশ্বাস লোৱাত সহায় কবে আৰু মুব ওপবলৈ উঠিলে নাড়ী-ভুবিব নিয় গতিত উশাহ আনে। এই দবে কেবা বাবো তল-ওপব কবিলে হাওফাওব ক্রিয়া পুনব চলিবলৈ ধবে।

সৰ্ব্বসাধাবণে ব্যবহাব কবিব পবাকৈ এই যন্ত্র সজা হৈছে আৰু পানীব ঘাট ডাক্তবখানা আদিত ব্যবহাবব বিশেষ উপযোগী।

সাগবব মাজত বিমানপোত

ইংবাজ আৰু আমেবিকাব মাজত উবাজাহাজ চলাচল সাধাবণতে বিপদজনক কাবণ কেবা হাজাবো মাইল বাট সাগবব ওপবেদি উবিব লাগে। ইঞ্জিনত পেট্রল ভবাই লব লাগিলে নাইবা কোনো ঘটনা ক্রমে বব লগা হলেই নিৰুপায়—বিশেষকৈ যাত্রী অনানিয়া উবাজাহাজব গঙ্কে ই অতি বিপদব কথা। এনে বিপদব হাত নাবিবলৈ মিঃ এডবার্ড, আব, আর্ষ্ট্রঙে পানীত ওপড়ি থকা বিমান সাজিবব উপায় আবিষ্কাব কবিছে। উত্তব-আটলাণ্টিক



সাগবব মাজত ওপড়ি থকা বিমান পোত

মহাগবত প্রায় ৫০০,৬০০ মাইল আঁতবে আঁতবে এই ওপড়ি থকা বিমানপোত সাজিবব দিহা চলিছে। তাত

যাত্রীব জিবনি আৰু খোৱা-লোৱাব বাবে হোটেলবো ব্যবস্থা থাকিব।

পৃথিবীব সবাতোকৈ বেছি হাই-উবমি ভবা কোঠালি

সাধাবণ কোঠালিত কোনো শব্দ হলে সি তেতিয়াই কিনাঁ হৈ যায়। কিন্তু এই শব্দ ততালিকে বতাহত মিলি যাব নিদিয়াকৈ যদি বখা হয় (insulated) তেনে তাব কেনে লক্ষণ প্রকাশ পায় তাকে জানিবলৈ এজন বৈজ্ঞানিকে জনচ্-মেলভীল বিচার্চ্চ লেববেটবীত এটি অভিনব কোঠালি সাজিছে। তাত প্রত্যেক শব্দ ১২ চেকেণ্ডলৈ মাব নেযোৱাকৈ থাকে। শব্দবোব যাতে ইবেবব পবা সি বেবত, মুবব পবা মজিয়াত প্রতিধ্বনিত আৰু প্রতিফলিত হব পাবে তেনেকৈ কোঠালিটোব বেব আৰু মজিয়া সজা হৈছে। তাত নানা ধবণব অদ্ভুত শব্দ সৃষ্টি কবা হয় আৰু সেই শব্দ ডাঙব কবিবলৈ আৰু কোঠালিটোত সমান ভাবে সিচবাই দিবলৈ এটি ঘুলি



পৃথিবীব সবাতোকৈ বেছি হাই-উবমি ভবা কোঠালি

থকা লাউড-স্পিকাব বখা হৈছে। মুঠতে ই এটি অতি আচবিত অভিনব আৰু বিকট শব্দ ভবা কোঠালি কবি সজা হৈছে।

তাব ওচবা-ওচবিকৈ আন এটি তেনেই নিজম (silent) কোঠালি সজা হৈছে। তাত শব্দব লেশ মাত্রও নাই। এজন কথা মানুহ এদিন এই নিজম কমলৈ লৈ যোৱাত শূন্যপথলৈ (space) যোৱা যেন পাই সি ভয়তে উভতি লবি আহিছিল।

কাঠব গুবিব সদ্ব্যবহাব

কাঠ ফালোতে যি গুবি ওলায় সি কাঠফলা কল-কাবখানাব ওচবত ইমান বেছি হয় যে সি পৰ্ব্বত আকাব ধবি পবি থাকিব লগাত পবে। তাব বিশেষ



কাঠব গুবিক আকৌ কাঠ কবা যন্ত্র

কোনো বিশেষ সদ্ব্যবহাব কবিব পবা নগৈছিল। বৰ্ত্তমানে ববাট বাউলিং নামক এজন ইঞ্জিনিয়াবে পুনব ব্যবহাবব উপায়ব বাবে এটি যন্ত্র উলিয়াইছে। এই যন্ত্রবে এই গুবিবোব আকৌ ১০.১২ ইঞ্চি দীঘল ডোখব ডোখব সক কাঠত পবিণত কবিব পাবি। তাক সাধাবণতে খবি হিচাবে ব্যবহাব কবিব পাবি, আৰু এই গুবিবোব আকৌ এইদবে ব্যবহাব উপযোগী কবাত এই আবিষ্কাবে সহায় কবিছে

বিবিধ

১৮৩০ চনত পোন প্ৰথম ফিট্‌কিৰিৰ আবিষ্কাৰ হয়।

* * * *

পুৰুষতকৈ বেছি দায়ীত্বহীন শান্ত জীৱন যাপন কৰাৰ কাৰণে তিৰোতা বোৰ সাধাৰণতে পুৰুষতকৈ বেছিদিন জীয়াই থাকে।

* * * *

সকলো অধিবাসী সকলৰ মাজত পৃথিৱীৰ মাটিভাগ সমান সমান ভাগত ভগাই ললে মানুহটোৱে প্ৰতি ১৮ একৰকৈ মাটি পাব।

* * * *

যুগোশ্লাভিয়াৰ লুবুল জানা অধিবাসী এম হাষ্টে পৃথিৱীৰ ভিতৰত সকলোতকৈ সৰু এটি বেতাৰ যন্ত্ৰ নিৰ্ম্মাণ কৰিছে। এইটো সাধাৰণ পকেট ঘড়ীতকৈ বেছি ডাঙৰ নহয়।

* * * *

ৱাছিংটনত সম্প্ৰতি ২ লাখ ২৯ হাজাৰ মাইল দূৰত থকা চন্দ্ৰৰ যি ফটো লোৱা হৈছে তাত পাহাৰ, পৰ্ব্বত, গছ লতা বিহীন ডাঙৰ ডাঙৰ পথাৰ প্ৰভৃতিৰ অতি পৰিষ্কাৰ ছবি পোৱা গৈছে।

* * * *

বেলগ্ৰেডত M. M. Savering Glavashki এ বতাহৰ পৰা বিজুলী সংগ্ৰহ কৰাৰ এটি নতুন যন্ত্ৰ আবিষ্কাৰ কৰিছে। তেওঁলোকে কয় যে কয়লা, প্ৰেট্ৰোল বা তেলৰ ইয়াত কোনো আৱশ্যক নাই।

* * * *

১৭০২ চনৰ ২১ মাৰ্চ্চ তাৰিখে ইংলণ্ডত Daily Cowant নামৰ সৰ্ব্ব প্ৰথম দৈনিক কাকত বাহিৰ হয়। এই কাকতৰ প্ৰথম সংখ্যা পোৱা হৈছে। সম্পাদকৰ নাম অজ্ঞাত। মুদ্ৰাকৰৰ নাম আছিল E. Malet.

Flying Scotsman নামৰ এটি ৰেল ইঞ্জিনে গাৰী এখন লৈ কিছু ক্ৰছৰ পৰা এডিনবাৰ্গলৈ কতো এমিনিট সময়ো নোৰোৱাকৈ ৫৮ বাৰ অহা-যোৱা কৰি ৪৫,০০০ মাইল বাট অতিক্ৰম কৰিছে।

কোনো কামেই অতি পলম নহয়

কেটোই ৮০ বছৰ বয়সত গ্ৰীক ভাষা শিকিছিল। চফোকল্‌ছে ৮০ বছৰৰ অধিক বয়সত 'এডিপাছ' (Edipus) লেখিছিল। ছচাৰে (Chaucer) ৬০ বছৰ বয়সত 'কেণ্টাৰবাৰী টেল' (Canter bury Tales) আৰু গেটে ৮০ বছৰ পাৰ হৈ যোৱাত হে 'ফষ্ট' লেখি উলিয়াব পাৰিছিল।

* * * *

নিৰ্ব্বাসিত ৰজা সকল ক'ত

শ্যামৰ ৰজাই চুইজাৰলেণ্ডত থাকিবলৈ ওলাইছে। অষ্ট্ৰীয়াৰ সম্ৰাট চাৰ্লেচও ইয়াতেই আছিল। ফৰাচী সিংহাসনচ্যুত প্ৰিন্স নেপোলিয়ন (Bonpartist Pretender) লুচেন য়ুনি ভাৰ্চিটিৰ এজন ছাত্ৰ। তেওঁৰ ঘৰ অৱশ্যে বেল জিয়মত। বুলগেৰিয়াৰ ৰজা ফাৰ্ডিনেণ্ড এতিয়া নিজৰ দেশ জাৰ্ম্মানীত। আলবানিয়াৰ ৰজা প্ৰিন্স উইডেও তাতেই আছে। স্পেইনৰ ৰজা এলফন্সো এতিয়া ৰোমত। আফগনিস্থানৰ ৰজা আমানুল্লা বৰ্ত্তমান ইটালীত। তুৰ্কীৰ শেষ চুলতান ফ্ৰেন্স বিভিয়েৰাত নীৰৱে দিন কটাইছে। ৰাছিয়াৰ জাৰ গ্ৰেণ্ড ডিউক চিৰিল ডিনাৰ্ড বোলা ঠাইত আছে।

সবাতো কৈ ভাল নাটক

অলপতে আমেৰিকাৰ এখন বাতৰি কাকতে ৩০০ বিশেষজ্ঞক পৃথিৱীৰ সবাতোকৈ ভাল নাটক কি যুলি কৰা প্ৰশ্নৰ উত্তৰত বেছি ভাগেই মত দিছে যে হেমলেটই সকলোতকৈ ভাল নাটক।

ছদ্মবেশী

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত শান্তিৰাম দাস বি-টি,

অষ্টম আধ্যা

—কেষ্টেল মাৰ্লিং প্ৰবাস—

মাউণ্ট চেভাৰ্ণৰ নতুন ৰাজা লৰ্ডভেন লণ্ডন পালেগৈ। তেওঁলোক লণ্ডনলৈ গলে যি হোটেলত থাকে, তাতগৈ দেখে যে লেডী ভেন কুমাৰ উইলিয়ামৰ সৈতে তাত বহি আছে। ঘৈনীয়েকক দেখি খঙত তেওঁ সুধিলে, "এম্মা, (মৰমৰ মাতা নাম) কেলেই নগৰলৈ আহিছা? লেডী ইছাবেল আজি কেষ্টেল মাৰ্লিঙলৈ গৈছে নহয়নে?" কথা শুনি লেডী ভেনে মূৰ ডাঙি সুধিলে, "কোন গৈছে তালৈ?" লৰ্ড ভেনে লেডীভেনৰ প্ৰশ্নৰ উত্তৰ নিদি কৈ গল—"এই বোৰ বৰ অপমানজনক কাম। লৰ্ড উইলিয়ামে এজন সামান্য ভিকহুৰ দৰে ইহলীলা সামৰিলে। তেওঁ এনেকি নিজৰ জীয়েক লেডী ইছাবেলৰ বাবে পইছা এটি এৰি থৈ যাবলৈ নোৱাৰিলে! ছিঃ! ছিঃ! তাইৰ হাতত নিজৰ হাত খৰচৰ নিমিত্তে ফুটা কড়ি এটিও নাই! আজি আহোঁতে মইহে এক কি দুই পাউণ্ড দি আহিছোঁ—আহা! বেচাৰীৰ অৱস্থা!"

লেডী ভেনৰ চকু মেল খালে। গিৰিয়েকৰ ওপৰতে চকু ৰাখি কৈ উঠিল—"ইছাবেল কত থাকিব? কি কৰিব?"

লৰ্ডভেন,—"তাই আমাৰ লগতে থাকিব। তাই—"

লৰ্ডভেনক কথা শেষ কৰিবলৈ নিদি লেডীভেনে জেদধৰি কলে, "নহয় তাই আমাৰ লগত কেতিয়াও থাকিব নোৱাৰে।"

"তাই থাকিবই লাগিব এম্মা। তাইৰ থাকিবলৈ কতো ঠাই নাই। সেই বোৰৰ দিহা কৰিছো আৰু সেই অনুসাৰে আজি তাই তালৈ গৈছেগৈ।"

লেডী ভেন শেঁতা পৰিল। বহাৰ পৰা উঠি গিৰিয়েকৰ মুখলৈ চাই গৰজি উঠিল, "শুনা ৰেমণ্ড (মাতা নাম) মোৰ লগত একে ঘৰতে ইছাবেলক মই কেতিয়াও কোনো ৰকমে থাকিবলৈ নিদিওঁ। মই তাইক সমূলি ভাল নাপাওঁ। তুমি কি কাৰণে এইটো কৰিলা?"

"মোক কোনোৱে এই পৰামৰ্শ দিয়া নাই, তায়ো একো কোৱা নাছিল। বহু ভাবি চিন্তি মই নিজেই কৰিছোঁ। নহলে তাই কত থাকিব?"

"যতে থাকে, ততে থাকক, সেইবোৰ কেলেই। কিন্তু মোৰ লগত হলে থাকিব নোৱাৰে।"

লেডীভেনৰ মনোভাৱ বুজি লৰ্ড ভেনে লাহে লাহে কলে, "এম্মা চোৱাচোন, বেচাৰীৰ সংসাৰত আপোনাৰ কেঁও নাই, কাৰো ওপৰত কোনো অধিকাৰ নাই, মই উইলিয়ামৰ উত্তৰাধিকাৰী হলোঁ যেতিয়া, ভদ্ৰতাৰ খাতিৰতে হওক বা দয়াগুণতেই হওক, তাই থাকিবলৈ আশ্ৰয় ফেৰা দিব লাগে নহলে সংসাৰে মোক হাঁহিব। এইটোও তুমি বুজা নাইনে?"

"নাই, সেইবোৰ মই একো বুজি নাপাওঁ। তাই মোৰ লগত থাকিব নোৱাৰে।" "তাই তোমাক বেছিদিন কষ্ট নিদিয়ে। এনেহেন ৰূপৱতী ছোৱালীজনী তাই অতি সোনকালে কাৰবাৰ লগত বিয়াত সোমাব। তাইক দেখিলেই, তাইৰ ধনসম্পত্তি, ঐশ্বৰ্য্য বিভূতিলৈ নাচাই কোনোৱাই নিশ্চয় বিয়া কৰিব। সেইবাবে চিন্তা নকৰিবা।"

বিয়াৰ কথা শুনি লেডী ভেনে হাঁহি মুখেৰে কলে, "বেছ, তেনেহলে সেয়ে হব। যিয়ে প্ৰথমতে তাইৰ ওচৰলৈ আহিব, সেইজনৰ লগতে তাই বিয়াত সোমাব লাগিব।"

কেইদিনমান পিছতে ছয়ো পৰিয়াল কেইটেল মাৰিলত উপস্থিত হলগৈ। লৰ্ডভেনে লেডীইচাবেলক আদৰ সম্ভাষণ জনালে। লেডী ভেনেও তেনে কৰিলে কিন্তু দেখা দেখিত বা ভদ্রতাৰ খাতিৰতহে। তথাপি তেওঁৰ কথাবাৰ্ত্তা, ব্যৱহাৰ প্রণালী দেখি লেডী ইছাবেলৰ অন্তৰ ভাগিল। আৰম্ভণিতে এনে যেতিয়া শেষত বা আকৌ কি মুক্তি ধৰেগৈ। ইছাবেলে অইন ঠাইত আশ্রয়ৰ কথা ভাবিবলৈ লাগিল।

লেডীভেন লাহ বিলাহৰ বাণী, তাতে আকৌ তোষামোদ প্রিয়। যি তেওঁক ভাল বুলি নাবাখানিব, সি দুবতে বিদ্বৎ—তেওঁৰ ওচৰত তাৰ ঠাই নাই। তোষামোদকাৰী বিলাকক তেওঁ অন্তৰেবে ভাল পায় আৰু সিহঁতৰ লগত দিনেবাতি হাঁহি বিকিন্দালি আমোদ আহ্লাদত দিন কটায়। ডেকা তোষামোদকাৰী সকলক তেওঁ যিমান আদৰ যত্ন কৰে, বোধকৰোঁ নিজৰ পিৰিয়েক লেডীভেনক তেওঁ সিমান খিনি আদৰ যত্ন নকৰে বা ভাল নাপায়। তেওঁ একেবাৰে স্বার্থপৰ আৰু হিংসুক প্রকৃতিৰ মহিলা। তেওঁ কেতিয়াও তেওঁতকৈ দেখিবলৈ শুৱনী তিৰোতাক তেওঁৰ ঘৰলৈ নিমন্ত্রণ নকৰিছিল আৰু কোনোবা কেতিয়াবা কোনোহতে তেওঁৰ ঘৰলৈ আহিলেও তেওঁৰ চকু পৰিছিল। কাজেই যেতিয়া জানিলে—ইছাবেলৰ নিচিনা ;কপৰতী গাভৰু এজনী তেওঁৰ ঘৰত চিৰকাল বসতি কৰিব, তেতিয়া লেডী ভেনৰ অন্তৰৰ অগনি জ্বলি উঠিল। ইছাবেলৰ যৌবন ভৰা সৌন্দর্য্য লেডী ভেনৰ পৰম শত্রু—চকুৰ শূল হৈ উঠিল। ৰবদিনৰ সময়ত যেতিয়া ডেকাদলৰ চকু লেডী ভেনৰ ওপৰত নপৰি সৌন্দর্য্য কুঁৱৰী লেডী ইছাবেলৰ ওপৰত পৰিল। তেতিয়া লেডী ভেনৰ অন্তৰৰ অগনি ৩গুণে চৰি উঠিল। সেই জুই হুমায় কেনেকৈ ?

ফেব্রুৱাৰী মাহ। লৰ্ড ভেনৰ দ্বিতীয় পুতেক জন ঢুকাল—পুত্রশোকত অস্থিৰ হৈ উঠিল! পুত্রশোক পাতলাবৰ কাৰণে তেওঁতেঁ কিছুকাল ফ্রান্সৰ পেৰিছ নগৰত প্রবাস খাটিলেগৈ।

এপ্রিলৰ আৰম্ভণিত—ইষ্টাৰৰ সময়ত লেডী ভেনৰ এজন দুবসম্পর্কীয় আত্মীয় মিচেছ লেডীডেন নাইসৰা ফ্রান্সিছ লেভাছনে সৈতে কেইটেল মাৰিলত কিছুকাল প্রবাস খাটিবলৈ আহিল লেডীভেনে তেওঁলোকক বিশেষকৈ আটক ধুনীয়া ডেকা ফ্রান্সিছক—আদৰ সম্ভাষ জনালে। দিন যাবলৈ ধৰিলে, লগে লগে লেডী ভেনৰ অন্তৰৰ অগনিত ঘিউ—ৰবিৰ যোগান পৰিবলৈ ধৰিলে। মোৱা ৰবদিনত ফ্রান্সিছে লেডী ভেনক বেছি প্রশংসা কৰিছিল; এতিয়া ইষ্টাৰৰ সময়ত ফ্রান্সিছে ইছাবেলক হাততে পাই লেডী ভেনৰ ফালে অন্তৰেবে পাছ দিলে? কাৰণ তেওঁ লেডী ইছাবেলক মন প্রাণ সঁপি দিলে লেডীভেনে আটক ধুনীয়া চঞ্চল ডেকা লেভিছনক খুব ভাল পাইছিল; লেভিছনো তেওঁত মজিছিল। ইছাবেল কৰ পৰা আহি লেডী ভেনৰ পথত কণ্টক হলহি? লেডীভেনে কোন প্রাণে এনেবোৰ ব্যৱহাৰ, কথা-বতৰা সহ্য ?

শুক্রবাৰে (গুড্‌ফ্রাইডে) আবেলি লেডী ইছাবেল—লগত উইলিয়াম লৰ্ড ভেনৰ প্রথম পুত্র—বাহিৰলৈ ওলাই গ'ল। অলপ পিছতে লেভিছ্‌ন কোনোবাফালৰ পৰা তেওঁলোকক ধৰিলেগৈ। তিনিও ফুৰি ফুৰি কোনোমতে সন্ধিয়া হোৱাৰ কেইমিনিটমান আগতে ঘৰ সোমাবহি। ইছাবেলে নিজৰ শোৱনি ঘৰত সোমাই কানি কাপোৰ সলাইছে; মাভিল নামৰ বান্দী জনীয়ে চুলিটাৰ ভালেকৈ বান্ধি দিবলৈ ধৰিছে —এনেতে লেডীভেন ছৰাৰ মেলি চকু বহা কৰি ঘৰ সোমাবহি—আৰু ইছাবেলৰ ওচৰ চাপি ধৰেৰে হাত জোকাৰি সুধিলেহি,"অতপৰ কলৈ যাচিলা?" ইছাবেলে সহজ ভাৱেই উত্তৰ দিলে, "মই মুকলি পথাৰত ফুৰি ফুৰিছিলোঁ।" চকু ঘোপাই লেডী ভেনে কলে, "তোমাৰ অপপা লাজ মান নাইনে? তুমি এইবোৰ কি কৰিবলৈ ধৰিছা?" লেডী ভেনৰ মূর্ত্তি দেখি ইছাবেল চুৰি হেৰাল, তেওঁৰ বুকু কঁপিল। লাহেকৈ কলে, "কি কৰিলোঁ? মই একো বুজি পোৱা নাই।"

লেডীভেনে আগবে পৰা চলু বিচাৰি চুবিছে; আজি এইফেৰা দোষকে পাই, শুনিলে কাণত হাত দিব লগীয়া অসহনীয় মাতেৰে ইছাবেলক গালি শপনি দিলে

আৰু কলে, "তুমি মোৰ ঘৰত আশ্রয় পাইছা, এয়ে যথেষ্ট নহল? আকৌ এই ঘৰতে অপৰাধো আনিলা? ফ্রান্সিছ লেভিছনৰ লগত এই তিনিঘণ্টা সময় কত লুকাই আছিলা? দি আহিবৰ দিন ধৰি দেখিছো, তুমি কাম কাজ একোতে হত নিদিয়া, কেৱল তাৰ লগতদিনেবাহি হাঁহি ধিকিন্দালি পাতি, মুখ চুপতি মাৰি পীৰিতি কৰা ....." আৰু কত কি কলিলে সি বৰ্ণনাতীত। লেডীইছাবেলে ইমানতো সহি থাকিব পাৰিলেন? এনেকুৱা অপমান—আৰু বিশেষকৈ নিজৰ হাত-লিগিৰী জনীৰ আগতে! আজি ভাল দৰিদ্র হলেও তেওঁ এজনী বাজকুৱৰীকো! তেওঁৰ লেডীভেনতকৈ শৰওণে উচ্চবংশত জন্ম, ভালকৈ লালিতা পালিতা শিক্ষিতা। এজন হিংসাত এনেকৈ নচুত-নাঙ্গত অপমান? ইছাবেলে কেনেকৈ সহ্য কৰে? বান্দী জনীৰ হাতৰ পৰা চুলিটাৰ এক�currentি ইছাবেল ঘিয় হল আৰু নম্রভাবে কৈ গ'ল "মই কাৰো লগত পীৰিতি কৰা নাই। অন্যায়ো নাই। সেই স্বভাৱ বিবাহিতা বোৱবহে। মোৰ মনেৰে পৰ পুৰুষৰ লগত পীৰিতি কৰা—বিবাহিতা, অবিবাহিতা দুয়ো পক্ষৰে বেয়া বিবাহিতাৰ পক্ষে আৰু বেছি বেয়া। মই আহিবৰ দিন ধৰি চকুৰ আগতে দেখিছেই আছে।—এই ঘৰৰ এজনীৰ লগত সেই ফেৰা স্বভাৱ আছে। সেই জনী তুমি, মই নহয়, লেডী মাউণ্ট চেভার্ণ।"

লেডী ভেনৰ মুখৰ ঘিউ উতলিল; তেওঁ খঙতে খেঁতা পৰিল, নিজক পাহৰিলে। সোঁহাত খন ভাঙি ইছাবেলৰ বাওঁগালত সোধালে এচৰ। ইছাবেল ভয়তে থমত খাই ঘিয় হৈ থাকিল আৰু কিবা কোৱা বা কবাৰ খুজেই বাওঁহাতখনেৰেও সোঁগাল খনত আকৌ এচৰ। ইছাবেলে আহে বিহে কৈ চিঞৰি উঠিল। চকী খনত বহি পৰিল। বান্দী জনীয়ে গলত সাৰট মাৰি ধৰি মুখ দিহিবলৈ লাগিল।

সেই ঘৰতে উইলিয়ামো আছিল, সিও কান্দি উঠিল। তাক দেখি লেডী ভেনে লৰাজনকো দুই চুকু শোধাই "বাদৰ" বুলি আজোৰ মাৰি টানি লৈ বাহিৰলৈ ওলাই গল।

লেডী ইছাবেলৰ—খং, অপমান আৰু ঘৃণাৰে অন্তৰ ভাগিল। ওৰে নিশা কান্দি কান্দি চকু উদহাই চাবিপাটিত পৰি ছটফটাই থাকিল। তেওঁৰ কেইটেল মাৰিল প্রবাস অসহনীয় হৈ উঠিল। এনেকৈ দিনে বাতি গালি-শপনি আৰু কিল-চুকিৰ মাজত হাই কাজিয়া কৰি কোন থাকিব পাৰে? নোৱাবিলেই বা উপায় কি? তেওঁ যায় কলৈ? ওৰে নিশা "পিতা কলৈ গলা মোকো লগতে লৈ যোৱা—মোক কাৰ হাতত সঁপি দিলা পিতা? আৰু নোৱাৰোঁ মই, মোকো লগতে নিয়া। হে প্রভু দয়াময়, দয়াকৰি মোকো এতিয়াই মাৰি নিয়া—" ইত্যাদি বুলি চকু চুকে কান্দি বহি থাকিল। তেওঁৰ মনত নানা বকমৰ চিন্তাৰ ঢৌ নাচিবলৈ ধৰিলেহি—নিজে নিজে কলে, "ফ্রান্সলৈ গৈ লৰ্ড ভেনৰ আগত সমস্ত বিবৰি কওঁগৈ নাইবা মিচেছ লেডীছনক খাটি-মিলি তেওঁৰ ঘৰতে আশ্রয় লওঁগৈ; নাইবা মেছন নামৰ আমাৰ পুৰণি বান্দী জনীৰ ঘৰ বিচাৰি উলিয়াই তাইৰ লগতে থাকোঁগৈ। তাইৰ লগত থাকি দুবেলা দুমুঠি ভাতো মোকোলাব নোৱাবিমনে?" কিন্তু তাৰ পিচ মুহূর্ত্ততে সকলো চিন্তাৰ ঢৌ আঁতৰি গল।

লেডী ইছাবেলে ফ্রান্সিছ লেডীছনৰ লগত বেয়া ভাবে ঠাট্টা বিদ্রুপ বা হাঁহি ধিকিন্দালি নকবে। অৱশ্যে তেওঁ তাৰ মন আকৰ্ষণ কৰিছে সিও তেওঁত আসক্ত হৈ পৰিছে। তিৰোতাই সিজনক সঁচাকৈয়ে ভাল পায়, সেই জনৰ লগত কেতিয়াও মিছা হাঁহি ধিকিন্দালি বা ঠাট্টা বিদ্রুপ নকবে। ইছাবেলেও লেডীছনক ভাল পাবলৈ আৰু আসক্ত হবলৈ আৰম্ভ কৰিছে বা অলপতে হব এইটো ঠিক।

পিছ দিনাখন বাতি পুৱা—উঠা পুনৰ্টোৰ দৰে সেঁতা পৰি ইছাবেল ছপ মনেৰে বহি আছে এনেতে উইলিয়াম (কেচুৰা) মনে মনে আহি কলে "ইজাবেলি, মাম্মা ওলাই গৈছে, আঁহা।" উইলিয়াম ইছাবেলৰ নেৱা নেপেৰা সঙ্গী। সি ইছাবেলক খুব ভাল পায়। কাণোৰ কানি সামৰি লৈ উইলিয়ামৰ লগত বাহিৰলৈ ওলাই আহিব গৈজতেই এজন চাকৰে এখন চিঠি ইছাবেলৰ হাতত দি কলেহি, "আইদেউ, এজন ভদলোক

আপোনাৰ লগত দেখা কৰিবলৈ আহিছে।" ইছাবেলে কাৰ্ডখন চাই এটা হুমুনিয়াহ ছাৰি কলে, "তেওঁক ভিতৰলৈ আহিব কোৱাগৈ।"

মানুহৰ জীৱন প্ৰবাহৰ চলাচল গতি ধৰা বৰ কঠিন কাম। কেতিয়া কাৰ কি হয় কোনোৱে কব নোৱাৰে। সামান্য দৈনিক ঘটনাৰ পৰা কেনেকৈ জীৱন জুৰা ডাঙৰ ঘটনা ঘটি উঠে—নিৰ্ণয় কৰা বৰ টান আৰু তাৰ ওপৰতে মানুহৰ ভবিষ্যত সুখ দুঃখ বিপদ আপদ সকলো নিৰ্ভৰ কৰে। মিঃ কাৰ্লাইলে সপোনতো ভবা নাছিল যে তেওঁ ইমান সোনকালে লণ্ডন বা কেষ্টেল মাৰ্লিং পাবগৈ। এজন মোক্কেল মৃত্যু শয্যাত পৰি হঠাত টেলিগ্ৰাফ কৰি তেওঁক কেষ্টেল মাৰ্লিঙলৈ লৈ গল। কাৰ্লাইলৰ পক্ষে ই সামান্য ঘটনা হলেও, ই তেওঁৰ জীৱন জুৰি তাৰ ফলাফল ভোগ কৰাব।

কাৰ্লাইল তেওঁৰ যৌবন ভৰা চেহেৰা আৰু দেখিবলৈ শুৱনি নাকে মুখে সৈতে লৰ্ড ভেনৰ চৰা ঘৰত সোমালগৈ। ইছাবেলে দেখিয়েই মিচিকিয়া হাঁহি মাৰি হাত আগবঢ়াই দি আদৰি সাদৰি কাৰ্লাইলক বহিবলৈ দি কলে "তুমি আহিবা বুলি সপোনতো ভাবা নাছিলো মিঃ কাৰ্লাইল। মোৰ বাস্তৱিক তোমাক দেখি বৰ আনন্দ লাগিছে।" কাৰ্লাইলেও হাঁহি এটি মাৰি কৈ গল, "এৰা কামৰ পাকে পাকে এই খিনি পালোঁহি, এই খিনিলৈ আহিলো যেতিয়া তোমালোকক মাত এষাৰ লগাই যাওঁ বুলিহে আহিলোঁ। পিছে লৰ্ডভেনো হেনো ঘৰত নাই হয়নে?"

"এৰা তেওঁ ফ্ৰান্সলৈ গৈছে। মই কৈছিলো নহয়—আমি আকৌ লগালগি হম। মনত আছেনে মিঃ কাৰ্লাইল? তুমি—" ইছাবেল হঠাৎ থামি গল। কাৰণ "মনত আছেনে" এই কথাষাৰে তেওঁক ইষ্টলিনি এৰি মাৰ্লিঙলৈ যাত্ৰা কৰা সময়ত কাৰ্লাইলে অতৰ্কিত ভাবে দিয়া এশ পাউণ্ডীয়া নোটখনৰ কথা সোঁৱৰাই দিলে। তেওঁ পাঙি থৈছিল যে কাৰ্লাইলক লগপালেই নোটখন ওভতাই দিব; কিন্তু লেডী ভেনৰ পৰা নিজৰ হাত খৰচৰ বাবে পইছা এটিও নোপোৱাত নোটখন ভঙাই কিছু খৰচ কৰিলে। এনে অৱস্থাত নোটখন ওভতাই দিয়ে কেনেকৈ! মনত বৰ আঘাত লাগিল, লগে লগে আগাদিনা খনৰ সমস্ত ঘটনা মনত পৰিল। তলমূৰকৈ হতাশ মনে বহি থাকিল। তাক দেখি কাৰ্লাইলে, সুধিলে, "তোমাৰ কি হৈছে, আমন জিমনকৈ কিয় থাকা?"

দীঘলকৈ হুমুনিয়াহ এটা ছাৰি ইছাবেলে উত্তৰ দিলে, "ইয়াত থাকি মোৰ অলপো ভাল লগা নাই।" ইষ্টলিনি শতগুণে ভাল আছিল বুলি কোৱাৰ লগে লগে তাইৰ চকু চলচলীয়া হল। কাৰ্লাইলে কলে "কেলেই মোৰ বিশ্বাস আছিল যে ই তোমাৰ সুখৰ ঘৰ হব।" কথা শুনি ইচাবেলে কাৰ্লাইলৰ ফালে যি উদাস দৃষ্টিৰে চালে বোধ হয় তাক কাৰ্লাইলে তেওঁৰ জীৱনত পাহৰিব নোৱাৰিব—ই হাহুমুনিয়াহ ভৰা নিৰাশাৰ চাৱনি। লগে লগে কৈ গল, "নহয় ই সুখৰ ঘৰ নহয় মহা দুখৰহে ঘৰ। মই ইয়াত থাকিব নোৱাৰোঁ। যোৱা ৰাতি মই অলপো শোৱা নাই—কলৈ যাওঁ কত কেনেকৈ থাকোঁ, এইবোৰ ভাবিয়ে অস্থিৰ হৈছোঁ। মোৰ এই বিশ্ব ব্ৰহ্মাণ্ডত আপোন বুলিবৰ কেওঁ নাই মিঃ কাৰ্লাইল।" ইছাবেলে চকুলো টুকিলে।

উইলিয়াম ভেন অতপৰ ইছাবেলৰ আঁচলত ধৰি তেওঁলোকৰ মুখৰ পিনে চাই আছিল। ইছাৱেলক চকু-লো টোকা দেখি সি টপৰকৈ কৈ উঠিল, "ইছাবেলি হেনো ইয়াত নাথাকে, গুছি যাব ডাঙৰীয়া। কিয় যাবগৈ মই কমনে? যোৱা কালি মাম্মাই তাইক খুব মাৰিছে—উঁ খুব মাৰিছে—এনেকৈ দুয়োগালত দুই চৰ—তাই খুব কান্দিছে নহয়.....।" ইছাবেলে তাক টান মাৰি—ওচৰলৈ আনি মুখত হাত দি দাবি মাৰি দি কলে, "মনে মনে থাক বান্দৰ।"

কাৰ্লাইলৰ মুখ কলা পৰিল। তেওঁৰ লেডীভেনৰ প্ৰতি খুব ঘৃণা জন্মিল আৰু লগে লগে ইছাবেলৰ প্ৰতি পুতৌ উপজিল। ইছাবেলৰ ফালে চাই সুধিলে "কথা সঁচানে? বাস্তৱিকে—তোমাৰ তেনেহলে বৰ কষ্ট হৈছে!"

কাৰ্লাইলৰ নিচিনা দয়ালু পুৰুষ এজনৰ ওচৰত মন জুৰাবলৈ পাই ইছাবেলে কলে, "মোৰ ভাগ্যত যি আছে সেয়ে হব—মিঃ কাৰ্লাইল। অন্ততঃ লৰ্ডভেন নাহালেকৈ ইয়াত আছোঁ।"

"তাৰ পিছত?"

"তাৰ পিছত কি কৰিম, নাজানো—"বুলি কৈয়ে তাই চকুলো মুছিবলৈ ধৰিলে। আকৌ কলে, "তেওঁৰ অন্য ঘৰ দুৱাৰো নাই! মই লেডীভেনৰ লগত এক মুমূৰ্ত্তও থাকিব নোৱাৰো। তেওঁ মোৰ অন্তৰ ভাঙ্গিলে, ভবিষ্যতে আৰু সৰ্ব্বনাশ কৰিব। এনে হব বুলি মই আশা কৰা নাছিলোঁ।"

"নিশ্চয়, নিশ্চয়। এনেকৈ তুমি ইয়াত থাকিব নোৱাৰা। বাৰু মই কিবা কৰিব পাৰোনে?"

"নোৱাৰা, কোনোৱে নোৱাৰে।"

"মোৰ ইচ্ছা, মই কিবা এটা উপায় কৰোঁ। কাৰণ তুমি কৈছিলা যে ইষ্টলিনি ভাল নহয়, কিন্তু এতিয়া দেখিছো—তাৰ পৰা আহিয়েই তোমাৰ এই দুৰৱস্থা শাৰীৰিক—মানসিক—অধঃপতন।"

মানুহে বৰ্ত্তমান যি অৱস্থাত থাকে তাৰ ভাল বেয়া কোনো দ্বিতীয় অৱস্থাত নপৰে মানে অৰ্থাৎ দুয়োটা অৱস্থা বিজাই চাবলৈ নোৱাৰে মানে বিচাৰ কৰিব নোৱাৰে। কেষ্টেলমাৰ্লিঙত লেডীভেনৰ দিনেৰাতিঅত্যাচাৰ উৎপীড়নত ইছাবেলৰ প্ৰত্যেক মুহূৰ্ত্ততে ইষ্টলিনিৰ কথা মনত পৰে।—

কাৰ্লাইলৰ কথা শুনি ইছাবেলৰ চকু চলচলীয়া হল,—গোলাপী ৰংচুৱা গাল দুখনিৰ ওপৰেদি দুধাৰি সোণালী চকুলো বাগৰি গ'ল। তাই কলে, "সেইটো মোৰ ভুল মিঃ কাৰ্লাইল! ইষ্টলিনি বাস্তৱিকে বাস কৰিব লগীয়া অমিয়া পুৰী। ইষ্টলিনিৰ কথা মনত পৰিলে মোৰ হিয়া দেই পুৰি মাৰে মিঃ কাৰ্লাইল! মই ইষ্টলিনিৰ নিচিনা ঠাই আৰু দ্বিতীয়বাৰ জীৱনত পাবৰ আশা নাই। মোৰ এই কেইমাহতে সপোন দেখা যেন লাগিছে। আহা! পিতা জীয়াই থাকা হলে! আমি কোন সুখেৰে ইষ্টলিনি অমৰা পুৰীত থাকিলোঁ হেঁতেন! বিধাতাই অকালতে সকলো সুখৰ পৰা বঞ্চিত কৰিলে।

কাৰ্লাইলৰ অন্তৰত তোল-পাৰ লাগিল। তেওঁ নিজৰ কথা পাহৰিলে, মুখ ৰঙা পৰি উঠিল। ইছাবেলৰ হাত দুখন নিজৰ হাতৰ মুঠিত ৰাখি অজ্ঞানতে হাত পিহি পিহি কলে, "কিন্তু এটা উপায় আছে, ইছাবেল। ইষ্টলিনিলৈ তুমি আকৌ যাব পাৰা; একমাত্ৰ উপায়—মান্তি হবানে?"

ইছাবেলে ভেবালাগি কাৰ্লাইলৰ ফালে চাই থাকিল। কাৰ্লাইলে আকৌ আৰম্ভ কৰিলে,—"যদি বেয়া নোপোৱা তেন্তে কওঁ শুনা আৰু যদি বেয়াও পোৱা তেন্তে ক্ষমা কৰিবা। ইষ্টলিনিলৈ পুনৰাই যোৱাৰ উপায় তুমি তাৰ গৃহিণী স্বৰূপে যাবানে?"

ইছাবেলে মুখ মেলি চাই থাকিল। তাই একোবুজি নাপালে। কাৰ্লাইলৰ কথাৰ ভাৱ-গতি বা অৰ্থ-নুবুজিলে। নিজে নিজে মনতে কৈ উঠিল,—"তাৰ গৃহিণীৰূপে?" মিচিকিয়া হাঁহি মাৰি—কেৰাহিকৈ চাই কাৰ্লাইলে কলে—

"আৰু মোৰ বিবাহিতা—স্ত্ৰী—ৰূপে।"

ইছাবেল উচপখাই উঠিল—ভৰিৰ পৰা মূৰলৈ গোটেই গা শিঁয়ৰি উঠিল। তথাপি তেওঁ কাৰ্লাইলৰ—কাষতে থিয় হৈ থাকি নিজৰ হাত এখন তেওঁৰ হাতৰ মাজত ৰাখি—তলমূৰ হল আৰু অন্তৰেৰে—কাৰ্লাইলক বখানি গ'ল—কাৰ্লাইল তাইৰ একমাত্ৰ আলাই অথানি, আপদ, বিপদ, সুখ-দুঃখৰ সাৰথি—অন্তৰৰ বন্ধু, আশ্ৰয়দাতা মৰম চেনেহত আপোন ভাই যেন। এনে স্থলত বিবাহিতা পত্নী! এনেকুৱা কোনো কথা তাইৰ অন্তৰত খন্তেকৰ বাবেও উদয় হোৱা নাছিল। প্ৰথমতে তাই সেই কথা উৰাই দিবলৈ খুজিছিল আৰু কাৰ্লাইলৰ হাতৰ মুঠিৰ পৰা হাতখন মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু কাৰ্লাইলে সেই ফেৰা হবলৈ নিদিলে বৰং সিওখন হাত বন্দীহে কৰিলে।—

ইছাবেল কাৰ্লাইলৰ লাজ, ভয় আঁতৰিল। যৌৱন সুলভ কথাৰ অৱতাৰণা হ'ল। কাৰ্লাইল ২৭।২৮ বছৰীয়া সুশ্ৰী ডেকা, ইছাবেল ১৬।১৭ বছৰীয়া দেখনীয়াৰ গাভৰু ছোৱালী। দহজনৰ চকুত লগা কেনে

যোর মিলে। কার্লাইলে অতপর তাইর সম্মতিলে অপেক্ষা করি সতৃষ্ণ দৃষ্টিতে চাই থাকিল। ইছাবেলর অন্তরত আন এজনর মূর্ত্তি থাপিত নোহোরা হলে, "থাক, তোমার পত্নী রূপে" বুলি অতি আনন্দেরে মনর উলাহতে তেতিয়াই কার্লাইলর কথাত সম্মতি দিলেহেঁতেন। ইছাবেলর অন্তর পুথিবৈলৈ ধবিলে। হবিষত বিষাদ!

লেডীভেন চবাঘবত সোমালহি। ইছাবেল কার্লাইলর কথা মাজতে বন্ধ হ'ল। ইছাবেলর হাত দুখন কার্লাইলর হাতব মুঠিত বন্দী অৱস্থাতে থাকিল। কার্লাইলে—তাইক চুমাথাম বুলি মুখ খন নমাইছিল—সিও তেনে ভাবে থাকিল; ইছাবেলর মুখ বঙা পবি উঠিল; ভয়ো ধবা পবিল।

লেডীভেনে চকুব পচাবতে সকলো বুজিলে। চকু খোপাকে তেওঁলোকব ফালে চাই থাকিল। ইছাবেলে তৎক্ষণাৎ কলে, "লেডী মাউন্ট চেভার্ণ, মিঃ কার্লাইল"। কার্লাইলে মুব দোৱাই আগবাঢ়ি গৈ কলে, "শুনি চুখ পালোঁ যে লর্ড মাউন্ট চেভার্ণ ঘবত নাই। তেখেতে মোক জানে, মোব নাম—আর্কিবল কার্লাইল"। লেডীভেনে মিচিকিয়া হাঁহি এটি মাবি কলে, "এবা তোমাব নাম শুনিছোঁ; কিন্তু মই নাজানিছিলোঁ যে তোমালোকৰ মাজত ইমান প্রীতি ঘনিষ্ঠতা। মই দেখিছোঁ যে তুমি..." কার্লাইলে বাধা দি কলে, "মেদাম, আগেয়ে আমাব ভিতবত চিনা পবিচয় মাধোন আছিল। এতিয়া ঘনিষ্ঠতা সম্বন্ধ পাতিম বুলি ইছাবেলক কৈছোঁহে আক যদি তেওঁব অমত নহয় তেন্তে মই পাণি গ্রহণ কবিবলৈও খুজিছোঁ"।

কথাশুনি লেডীভেনে স্বস্তি বোধ কবিলে, তেওঁব মনত অপাব আনন্দ লাগিল। ইমান দিনে তেওঁ যি বিচাবিছিল, হাততে তাকেই পালে। তেওঁব চকুব কুটা পবম শত্রু ইছাবেলক আঁতবাধব বঢ়িয়া সোণালী সুযোগ—আক কি লাগে? তেওঁ কলে "শুনি বব সন্তোষ পালোঁ মিঃ কার্লাইল। খুব ভাল কথা—শুভস্য শীঘ্রং। শুভ কাজ সোনকালে হ'ক। আশা কবোঁ ইছাবেলেও তোমাব নিচিনা উপযুক্ত স্বামী লাভ কবি বব সুখী হ'ব। ভগবানে তোমালোক—নব দম্পতীক দীর্ঘায়ু কবি কুশলে বাখক। পিছে ইছাবেলে কিবা মতামত দেছেনে? আশা কবোঁ তাই মাস্তি হব।" ছয়ো ইছাবেলৰ ফালে চাই থাকিল। ইছাবেল কার্লাইলৰ ওচব চাপি কলে "মোক কেই ঘণ্টামান সময় দিয়ক মই বিবেচনা কবি উত্তব জনাম।"

"থাক, মই আবেলীকৈ এপাক মাবিম।"

সকলোটি ওলাই গল।

ইছাবেল নিজব খোৱনি ঘবত সোমাই চাবি পাটিব ওপবত বহি নিজে নিজে মনতে তর্ক বিতর্ক কবিবলৈ লাগিল। তাই এজনী গাভৰু ছোৱালী, লাহ বিলাহত ওপজিছবা চঞ্চল বিজুলী চমক। ছোৱালী হিচাবে তাই সংসাবব আও ভাও কি বুজে দকৈ কি কথা গমি পিটকি চাবলৈ পাবে, বিদগ্ধীয়া সংসাবব ওপবে ওপবে যি দেখে তাকেহে জানে। প্রথমতে তেওঁব মনত উদয় হল মিঃ কার্লাইল এজন সামান্য মফঃস্বলৰ উকীল—উকীলৰ লবা, তাব হল, লাহবিলাহৰ কোলাত ডাঙৰ দীঘল হোৱা উচ্চাংশত জন্মা এজনী লর্ড'ৰ (বাজাৰ) জীয়ৰী, কাজেই কার্লাইল কি বংশ গৌবব কি মান সম্ভ্রম কি সামাজিক প্রতিপত্তি কোনো গুণে তাইব সমান হব নোৱাবে তাইব নাক কেঁচা থালে। দ্বিতীয়তে ইষ্টলিন—ন, সৌন্দর্য্য খ্যাতি আদিত—তাই বর্ত্তমান যি ঘবত আছে তাতকৈ কোনো গুণে বেয়া নহয়। তৃতীয়তে তাই পাহবিলে যে ইষ্টলিনত কার্লাইলৰ পত্নী হিচাবে সমাজেও তাইব মান সম্ভ্রম লর্ড মাউন্ট চেভার্ণৰ জীয়েক হিচাবে হব লাগে তেনে নহব। চতুর্থতে তাই পাহবিলে যে তাই সংসাবব লাহ বিলাহব পবা বঢ়িত হৈ মুক্ত বায়ু সেৱী পখিলা—চকু দিলে চকু বৈ থাকা দেউকা ভাগি ফাটেকৰ ফাটেকিয়ালৰ দবে নিৰ্জ্জন ঠাইত আবদ্ধ হৈ থাকিব লাগিব। তাই অৱশ্যে কার্লাইলক বব ভাল পাইছিল, তেওঁব লগত থাকি কথাবার্ত্তা কবিলেও বব ভাল পাইছিল। সেই অমঙ্গলীয়া মন বাজাত

ঘুবিফুবা কল্পনাটোৱেই কতমানে অপায় অমঙ্গলৰ ওবি আকৌ লেডীভেনব নিষ্ঠুব অত্যাচাৰ উৎপীড়নত থকাতকৈ ইষ্টলিনি তাইব মনত সবগব নন্দন কানন, গাবিলে তেতিয়াই যেন কার্লাইলৰ লগতে ইষ্টলিনিলৈ উবি যাব। কিন্তু আকৌ একমূর্ত্তি, তাই যে কার্লাইলৰ প্রেমপূজা কবিবলৈ ভাল নাপাইছিল এনে নহয় বোধ হয় তাই ফ্রান্সিছ লেডীছবব প্রেমপূজা কবিছিল বা কবিবলৈ মনে প্রাণে সদায় সাজু আছিল। তাইব একান্ত আগ্রহ ফ্রান্সিছে যেন অতি সোনকালে তাইক বিবাহিতা পত্নীৰূপে গ্রহণ কবে নহলে তাই তাক চকুবে একেবাবে নেদেখাই ভাল আছিল। তাই দোমোজাত পবি ককবকাই থাকিল।

মিচেছ লেডীছন আক লেডী ভেন তাইব ঘবত সোমালত তাইব কল্পনা জল্পনা সকলো বন্ধ হল। তেওঁলোক ছয়ো মিঃ কার্লাইলক স্বামীৰূপে গ্রহণ কবিবলৈ ইছাবেলক নানা সদুপদেশ দিলে। ইছাবেলে নামাতা নোবোলাকৈ ইফাল সিফালকৈ খোজকাঢ়ি তেওঁলোকব কথা শুনি আছিল। তাই কোনবকমে অন্তৰ বাজাব পবা ফ্রান্সিছ লেডীছনক আঁতবাব নোৱাবিলে। দুবৈত বিবিকিয়েদি কার্লাইলক আহা যেন দেখি চবা ঘবলৈ নামি গ'ল আক তেওঁক সম্পত্তি পঠাইদি পিছত তেওঁব প্রশ্নোত্তব পঠাই দিম বুলি ভাবি গল। চ'বা ঘবতে এফালে ফ্রান্সিছ লেডীছন বহি আছিলহি। তাক দেখিয়েই তাইব বুকুগন মগছ মগছকৈ উটিল। ই কি!

ইছাবেলক দেখি লেডীছন ওচবলৈ আহিল, "কলে, বেয়া নাপাবা ইছা। মোব আহাত পলম হ'ল। মিঃ কার্লাইলক লগ নোপোৱাত বব দুখ পালোঁ। তেওঁ এজন খাটি ভদলোক ইছা, বেচ খুব ভাল ইছেহ—সোণাত সুগন্ধ পবিছে। মই শুনি বব সন্তোষ পাইছোঁ। ময়ো তোমাক আশীৰ্ব্বাদ কবোঁ।" ইছাবেলে লেডীছবব মুখব ফালে চাই থকা দেখি সি কলে, "আচবিত নহয়। মই সকলো কথা শুনিছোঁ। ইষ্টলিনি বব মনোবম ঠাই। তোমাব সুখ হওক এয়ে মোব শুভ ইচ্ছা।" লেডীছনে দীঘল ওমুনিয়াহ এটা পেলালে।

ইছাবেলে বিজপব সুবেবে কৈ উঠিল, "ধন্যবাদ, ধন্যবাদ, কিন্তু অসময়তে তুমি সন্তোষ প্রকাশ কবিলা কেপ্তেন লেডীছন।"

"থাক, তেনে হলে উপযুক্ত মানুহজন আহালৈকে মোব শুভইচ্ছা বাখি থবা।" লেডীছন যাবলৈ ওলাই থিয় হল আক ইছাবেলৰ মুখব ফালে চাই কৈ গল "মই ইয়াত থকা অনুচিত। মই ইমান দিনে মিছা আপোন বাজাত বুব গৈ আছিলোঁ। অৱশ্যে আন বোব যেনেকৈ থাকে তেনে কৈছে, বব বেছিকৈ নহয় কাবণ মই নিজে এজন জীবনৰ স্থিবতা নোহোৱা উকনি পুঙা পথুলি ডঙা বাটে-বাটে ঘুবি ফুবা ফকিব মানুহ।" কেপ্তেন লেডীছনে কথা কেই আষাব একে উশাহতে কৈ ভোঁ ভোঁ কবে ওলাই গল। ইছাবেলে এতিয়াহে বুজিলে লেডীছন এজন মিথ্যাবাদী আক নির্দ্দয় কঠুৰা মনব মানুহ।

কার্লাইল ছবাব বন্ধ কবি ভিতবলৈ সোমাই আহিল। ইছাবেলক যেনে আছিল তেনে অৱস্থাতে দেখিলে। ইছাবেলৰ ওচব চাপিল, তাই মুখেবে কথাবাব নামাতিলে। তাইব মুখ বঙা পবিল, ওঠ কঁপিবলৈ ধবিলে। কার্লাইলে খন্তেক নীবৱে থাকি সুধিলে,—"পিছে, কি ঠিক কবিলা ইছা?"

"থাক। কিন্তু—"ইছাবেলৰ ইমানতে মাত বাজিল। মনৰ ভাব দমাই বাখি আকৌ চেষ্টা কবিলে, "কিন্তু মই, কবলৈ খুজিছিলোঁ—" কার্লাইলে ইছাবেলক টান মাবি বুকৰ ওচবলৈ আনি চকি এখনত বহিকলে, "ইছাবেল, তুমি মোব জীবন ধন্য কবিলা।" ইছাবেল নিজব ভাবনাতে আছিল—কোনো ফালে কাণ নাই। তাই কলে, "মই তোমাক কোৱা উচিত, নহয় এতিয়াই কওঁ যদিও মই তোমাৰ প্রশ্নোত্তব 'থাক' বুলি সম্মতি জনাইছো, তথাপি এতিয়াও মই— মই তোমাক অৱশ্যে বব ভাল পাওঁ, ভক্তিও কবোঁ, কিন্তু মই এতিয়াও তোমাব প্রেমপূজা কবিবলৈ পবা নাই।"

"তুমি যদি ইয়াব আগেয়ে কিবা কবিছিলা, তেন্তে আচবিত। কিন্তু এতিয়া মোক প্রেমাঞ্জলি দিবলৈ শিকা।"

"নিশ্চয়, ময়ো তাকেহে কামনা কবোঁ।"

কার্লাইলে ইছাবেলক কোলাত বহুবাই নৈ চুমা এটি খাই কলে, "মবমব মইনা, এয়ে মোব সকলো, এয়ে মোব সকলো, মোক ইয়াকেহে লাগে।"

কার্লাইল পিছদিনাখন তাতেই থাকিল। অতি সোন কালে বিয়াব বন্দবস্ত কবি লর্ড ভেনলৈ চিঠি লিখিলে।

কার্লাইল উলহ মালহকৈ বেষ্টলিনিত উপস্থিত হ'লহি। —আগলৈ

চেনেহী

কবিতা— —শ্রীযুত ঘনকান্ত গগৈ এম-এ

লুইতৰ দাঁতিৰ বতাহৰ কঁপনি
লুইতৰ ৰূপালী ঢউ
পাৰৰ জামলী ছৱি বননি
বতাহত ফুলবে মউ।
কাষত বাঁহনি, আমনি পামনি—
এইখনি চেনেহীৰ গাওঁ,
দূৰ বিদেশৰ সাউদৰ মুদিয়ে—
ঘাটত বান্ধি যায় নাও।

* * * * *

চেনেহত বাঢ়িলে চেনেহী ছবিটি
যৌৱনত দিলেহি ভৰি।
মাক বাপেকৰ চেনেহৰ পুতলি
আছে ঘৰ ওৱনি কৰি।
চেনেহী আছিলে বনফুল কলিটি
যৌৱনে দিলেহি মেলি,
হিয়াৰ সুবভিয়ে পবন ভৰিগলে
আবৰি ধৰিলে অলি।
চেনেহীৰ বৰণটি কেচাচোণ যেন
ডালিম গুটি যেন দাঁত।
মহী ৰৱণীয়া দীঘল চুলি টাৰি
চেনেহীৰ মইনা মাত।
যৌৱনে দিলেহি আনি চেনেহীৰ
গালত কুসুম বাগ;
চকুৰ চপলতা আহি দেখা দিলে
মুখত দেখা দিলে লাজ।
যৌৱনে দিলেহি আনি চেনেহীক
এখনি উঠঙ্গা বুকু,
তিয়হঁৰ জালি যেন সুকোমল শৰীৰটি
এযুৰি সুঠাম উৰু।
যৌবনে নিলে হৰি আজি চেনেহীৰ
চৰণৰ চপলতা আহি—;
গল অঙ্গে অঙ্গে তৰঙ্গে তৰঙ্গে
লাবণ্য মাধুৰী ভাহি।
যৌৱনে দিলেহি বাহুৰ বলনি
কৰত ৰক্তিম বাগ;
ডাৰৰৰ যেন সুগহীন গতি
কম্পিত চকিত লাজ।
যৌবনে দিলেহি নয়ন অঞ্জন—
হিয়াত আবেগ ঢউ;
গালত ফুলালে বিবিধ কুসুম
ওঁঠত প্ৰেমৰ মউ।

* * * * *

লুইতৰ কাষৰত চেনেহী ফুৰেগৈ
সন্ধিয়াৰ শোভাকে চাই—
চেনেহীৰ সৌন্দৰ্য্য কোনেনো বৰ্ণাব—
তেনে কবি ওচৰত নাই।
চেনেহীৰ চৰণ চাব চুমি বন ফুল পাত
ফুলি উঠে চওগুণে অলি।
ফুল কুসুমৰ বেৰি আশে পাশ
গুঞ্জৰে বলিয়া অলি।
লুইতৰ কাষৰ পগলা পবনে
দিয়ে উদন্ধাই বুকু।
ঢাকে আধে বেণে সচকিত লাজে
মাটিত থৈ এযুৰি চকু।

চেনেহীৰ খোপাৰ ফুল দেখি অলি বিয়াকুল
ঘুৰি ঘুৰি মুবতে পৰে,
আগলৈ যাওঁতে হৰিণ শিশুটিয়ে
আচলত কাষুৰি ধৰে।
চগালে বৈয়োৱা চেনেহীৰ ঘাম জল
পবনে মোহাৰি দিয়ে।
ডালৰ বিহঙ্গিনী উৰামাৰি আহি
চেনেহীৰ হাততে পৰে।
প্ৰকৃতি জীয়াৰী চেনেহী আইটী
প্ৰকৃতিৰ এপাহি ফুল
সৰলা বিনীতা প্ৰেম ভক্তি পূৰ্ণা
গুণত সকলো ভুল।
সৰল চিতাযা মুকলি মুৰীয়া
যেন বন বিহঙ্গিনী;
মানুহৰ ৰীতি একোকে নেজানে
প্ৰকৃতি ফুননি বাণী।

* * * *

পবিত্ৰতা সাহে আপোন মনেৰে
আছিল নিৰ্ভয়ে ফুৰি;
হঠাৎ এদিন পাপ পৰশনে
নিলে সুখ শান্তি হৰি।
কুমাৰী ধৰম নিচেই কোমল
হ'ল কলুষিত আজি;
কুহকৰ শঠ কলুষ স্পৰ্শত
গ'ল আচদিতে জহি।
শৰতৰ শশী মেঘাচ্ছন্ন হ'ল,
কণোল কুসুম তাতে লয় গল;
অধৰ ৰক্তিমা বিস্ফল আভা
অকালতে আজি বিলীন হ'ল।
কুহকে কলেহি চেনেহীক আহি
"তুমি হৃদয়ৰ ৰাণী
নিয়তি নিৰ্ম্মিলে আমা দুহোটিকে
দুয়োকে দুয়োৰে কৰি।"
"সৰস সৰোজ কুসুমিত হয়—
নভোমণি প্ৰেমাধিনী;
বিহগ বিহগী বিপিন বিহৰে
অভেদ্য জীৱন ধৰি।
"শ্ৰাম শৈল শৃঙ্গ নীল নভচুমে
তড়িৎ পয়োদ খেলা;
কুঞ্জ লতিকাই বৃক্ষক আলিঙ্গে
সংসাৰ মিলন মেলা।
"তৰঙ্গে তৰঙ্গে শত আলিঙ্গন
পুষ্পিকা পৰাগ সঙ্গে,
জীৱন যৌৱন হবযে সাৰ্থক
মিলো যদি তব সঙ্গে।
"গগন পবন তাৰকা তপন
তটিনী জলধি আদি—
যদি সকলোটি প্ৰেমত মগন
নেযাম কিয়নো মজি।"
কিন্তু নেদেখিলে দেহি চেনেহীয়ে
কুহকৰ কুট ভান,
হিয়া উবুৰাই চৰণত দিলে
জীৱন যৌৱন দান।
চুহি নিলে আহি অধৰৰ সুধা
হৰি নিলে আহি মন;
কুমাৰীৰ ধৰ্ম্ম সুবুজিলে মৰ্ম্ম
কবে হিয়াহীন জন!"
মানস মোহিনী কবি বিবহিনী
অকুণ্ঠীতে গুচি গ'ল,
হিয়া গলি হ'ল নয়ন প্ৰবাহ
যেনে শাওণৰ ঢল।
অক্ষি হ'ল আজি আগ্নেয় কুসুম
হিয়া চিতা দাবানল,
নয়নৰ নিদ্ৰা তাতে মাৰ গ'ল
চেনেহী মৰহী গ'ল।
কত নিশা হায় বহি উজাগৰে
আছিল পথলৈ চাই;—

প্রিয় আগমন অপেক্ষি অপেক্ষি
নাহিলে পুনৰ হায়।
দাৰুণ তৃষ্ণাই উষ্ণ ঘৰ্ম্ম জলে
তুলিলে অধীৰা কবি ;
গভীৰ সুনীল জলত নামিলে
শান্তি লাভ আশা কৰি।
লুইতৰ পাৰত চেনেহী ফুলিছিল
দাঁতিয়ে চবাই শোভা ;
সংসাৰ নেউচি লভিলে লুইতৰ—
অনন্ত শীতল কোলা।

আছে সকলোটি নাই আজি হায়—
চেনেহী মোহিনী ছবি,
চেনেহী বিহনে কাষৰ প্ৰকৃতি
যেন বিষ্ণা বিষ্ণা দেখি।
ডালত বিনালে ডালৰ বিহগী
ঘৰত বিনালে মাকে
হিয়া ধাকুবাই গঞাই বিনালে
আজি চেনেহীৰ শোকে ॥

কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্ৱণি

—কৃপাবৰ

ভোজন

আজি লম্বাই শৰ্ম্মা ববৰকৰাৰ কাষত বহিলত ববৰকৰাই তেওঁৰ মুখলৈ চাই মিচিকীয়া হাঁহি মাৰি কলে, "আজি লম্বাইৰ লক্ষণ লম্বোদৰ বিলম্বিত। কাৰণটো নিশ্চয় গুৰু ভোজন। মুখ টুপটুপীয়া, চকু ঈষৎ প্ৰসাৰিত, সন্তোষ-বিমণ্ডিত বদনমণ্ডল।"

লম্বাই উত্তৰ দিয়াৰ আগতে এটি গুৰু গম্ভীৰ উগাৰ মাৰিলে। উদ্গাৰ ধ্বনি মেঘগৰ্জ্জন বং। ববৰকৰাৰ মুখাকাশ তৎক্ষণাত বিৰক্তিৰ ডাৰৰে ঢাকি পেলালে।

ববৰকৰা—তুমি এই বিকট উগাৰেৰে মোৰ কথাৰ উত্তৰ নিদিয়াহেঁতেনো হৈছিল। কাৰণ আজি তোমাৰ লম্বিত উদৰ আৰু নিৰ্ব্বাক মুখেই যথেষ্ট বাক্-পটু। ওপৰঞ্চি আৱশ্যক হলে ছ-হা—হয় ইত্যাদি একাক্ষৰশব্দয়ে সেই কাৰ্য্য কৰিব পাৰিলেহেঁতেন। পেটভৰাই খাই উঠি মানুহৰ আগত উগাৰ মাৰি বোৱাৰ জাননী দিয়াটো অনেকৰ অভ্যাস আছে মই জানো ; কিন্তু ভদ্ৰ সমাজত সেইটো আজিকালি অচল। এই বাবেই তাহানি কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ অধ্যাপক বো আৰু ওৱেৰে "এটিকেট" অৰ্থাৎ ভদ্ৰসমাজত প্ৰচলিত দস্তুৰ বিষয়ে এখন কিতাপ লেখিছিল" আৰু অভদ্ৰ দস্তুৰবোৰৰ হিচাপৰ তালিকাত উগাৰ উদ্গীৰণৰ কথাও সুমাই দিছিল। যি হওক, বুজিলোঁ যে তুমি কৰবাত আছি গুৰুভোজন কৰি গুচী হৈ আছিহা।"

লম্বাই।—হয় ডাঙৰীয়া। পীতৰাম পেকাবৰ ঘৰত থাবলৈ মাতিছিল। আজি তেওঁৰ বাপেকৰ বৰ্ষকৈয়া শৰাধ। ভোজনৰ লগতে কিঞ্চিৎ দক্ষিণাও লাভ হল ডাঙৰীয়া !

ববৰকৰা।—শুনি সন্তোষ পালোঁ। সুবিধা ব্ৰাহ্মণক এসা লম্বাই, এই পৃথিবীত পেটেই ধৰ্ম্ম-কৰ্ম্ম সকলোৰে মূল। সেইদেখি আমাৰ নকুল পণ্ডিতে সদায় চোলোক মাতিছিল :—

"পেটঃ ধৰ্ম্মঃ পেটঃ কৰ্ম্মঃ পেটহি সকলং মূলং।
যজ্ঞ দেহে পেটো নাস্তি হা হা পেট পেট পেটায়তে

জীৱনৰ সুখ দুখ নামৰ সৌৰ-মণ্ডলৰ প্ৰধান গ্ৰহ পেট। শ্ৰাদ্ধতনত সি শনিগ্ৰহতকৈও লক্ষগুণে বুহৎ। নগাঁৰ দুমুক বছৰাই সেইদেখি আমাৰ কীৰ্ত্তন ঘোষাৰ অহিত পদ কবি গাইছিল :—

"পেট-সূর্য্য ভৈলস্ত উদিত।
ভোজন-ধৰ্ম্ম কৰিলা বিদিত ॥

এই নিৰুলম্ভ কলাধাৰ ভোজনাধাৰ শিৰোমণি সূৰ্য্যেৰে চতুৰ্দ্দিশে এই সংসাৰখন মহাত্মা গান্ধিৰ মতৰ চৰকি ঘুৰাদি ঘুৰি আছে। এইবাবেই কলিত বান্ধনিঘৰটো জগন্নাথ মহাপ্ৰভুৰ মন্দিৰ বুলি কোনোৱে কয়। ভাত বান্ধনিটোক গদাধৰ মহাপাত্ৰ বা বীৰভদ্ৰ মহাপাত্ৰ বা ভীম পাণ্ডাৰ শাৰীৰ স্বৰূপ বুলি কয়। মহাপ্ৰভুৰ মহা-প্ৰসাদ জীৱক শান্তি, শকতি, প্ৰীতি, তৃপ্তি চুকুতে দিয়াদি এই লক্ষ লক্ষ ক্ষুদ্ৰ মন্দিৰ বোৰেও জীৱক সেইবোৰ দিনেই দিব লাগিছে। মহাপ্ৰভুৰ মহাপ্ৰসাদৰ বিষয়ে আমাৰ কীৰ্ত্তন পুথিত লেখিছে।

"যত ফল পাৱে যজ্ঞ হোম তপ দানে।
যেন ফল পাৱে তুলা-পুৰুষ প্ৰদানে ॥
যেন ফল লভে ভুঞাই ব্ৰাহ্মণ কোটীক।
পাৱে মহাপ্ৰসাদ ভক্ষণে ততোধিক ॥
মহাপ্ৰসাদত যত্নে এবিবা বিচাৰ।
নাহি কিঞ্চিতেকো জানা ব্ৰহ্মত বিকাৰ।
অন্ত্যবৰ্ণে হীনবৰ্ণে যিটো অন্ন ছোৱে।
তাক ভুঞ্জি সমস্ত পাতক মুক্ত হোৱে।
ছোৱা গঞ্জা বুলি যিটো অন্ন নাথায় মোৱ।
বিপদক্ষ পাৱে তাক কৰোঁ দণ্ড ঘোৱ ॥
হৃদয়ত কণ হাবি নাম যাৱ মুখে।
বিষ্ণুৰ নৈবেদ্য উদৰত ভৰে সুখে।
পদোদক নিৰ্ম্মাল্য সমস্তো থাকে যাৱ।
বোলা হৰি হৰি সেই বিষ্ণু অৱতাৰ ॥"

অন্ন মাত্ৰকতে মহাপ্ৰসাদ। কাৰণ শাস্ত্ৰত লেখিছে অন্ন ব্ৰহ্ম। ব্ৰহ্মৰ আৰু অন্নৰ প্ৰভেদ নাই। তাৰ উপৰি পৰিষ্কৃত অন্ন যদি বিষ্ণুক অৰ্থাৎ ঈশ্বৰক নিবেদন কৰি থোৱা যায়, সি তৎক্ষণাত মহাপ্ৰসাদ হল। শুনা লম্বাই, তোমাক মই মোৰ হৃদয়ৰ কথা ভাঙি কওঁ। তুমি মোৰ শিষ্যত্ব গ্ৰহণ কৰিছা ; সেইদেখি মোৰ সদায় ভয় হয়, পাছে কেনেবাকৈ তোমাৰ গুৰু-ভক্তিটো হেলেকলেক হৈ পৰে। মাজে সময়ে সেই বাবে মই তাক খাজি থাকিবৰ আৱশ্যক বুলি ভাবো। সেই কাৰণৰ নিমিত্তেই মোৰ উকা কথাৰ ভিতৰত শাস্ত্ৰৰ ব্ৰীং-ব্ৰীং-ফট্ সুমাই দিব লগীয়াত পৰোঁ। শিষ্যই যদি গুৰুক বৰ পণ্ডিত বুলি নাভাবিলেই তেন্তে গুৰুৰ চাউল কঠা আৰু হৰি কথা দুইটাৰ ভিকাচন ভাগিল। গুৰু শব্দৰ প্ৰথমাক্ষৰৰ উকাৰটো বহিলেই সর্ব্বনাশ, এতেকে তোমাৰ আগত শাস্ত্ৰ মাতোঁ শুনা :—

বিষ্ণুৰ সহস্ৰ নামৰ ভিতৰত অয়ও তেওঁৰ এটি নাম। শুদ্ধিতত্ত্বত লেখিছে,—

"ব্ৰহ্মহত্যা কৃত্যং পাপং অন্নদানাৎ প্ৰনশ্যতি।"

প্ৰায়শ্চিত্ত তত্ত্বত আছে,—"অন্নদঃ পাপকৰ্ম্মাণি পুত্ৰঃ স্বৰ্গে মহীয়তে।" ব্ৰহ্মপুৰাণত আছে :—"অন্নস্ত হি প্ৰদানেন নৰো যাতি পৰাং গতিম্।" অগ্নিপুৰাণত আছে, "ব্ৰহ্মহত্যাদিকং পাপং অন্নদস্ত প্ৰণশ্যতি।" পদ্মপুৰাণত লেখিছে,—"ক্ষুধিতে যঃ প্ৰযচ্ছেত অন্নং শ্ৰদ্ধা সমন্বিতঃ। ব্ৰাহ্মনো ভবনে স বৈ ব্ৰহ্মণা সহ মোদতে।" বিষ্ণু ধৰ্ম্মোত্তৰ আগমত লেখিছে—"মৃষ্টান্নং মানবো দত্ত্বা মৃষ্টান্নাৰ্থিনি কাঙ্ক্ষিতম। অক্ষয় ফলমাপ্নোতি স্বৰ্গলোকঞ্চ গচ্ছতি ॥" মৃষ্টং মানে সংস্কৃতম। নিতৌ যি এহেজাৰ কথাই নাই যি এনে সঙ্কল্প কৰি হেজাৰ জনক অন্ন দিব পাৰে,—যথা,—"ওম বিষ্ণোধৰ্ম্মোত্তৰোক্তং সহস্ৰ পৰিবেশন ফল প্ৰাপ্তিকামোঽহং যথাসম্ভৱং সহস্ৰায় মনুষ্যেভ্যো ব্যঞ্জনাহিতমন্নং দাস্তে"—তাৰ অক্ষয় স্বৰ্গ।

ইত্যাদি কাৰণৰ নিমিত্তেই মই ছন্নাসা ঋষিক সকলো ঋষিৰ ভিতৰত শ্ৰেষ্ঠ আসন দিওঁ ! বাস্তবিকতে ছন্নাসা সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ শ্ৰেষ্ঠ সৃষ্টি। পৃথিবীত আচল বস্তু ভোজনত তেওঁৰ ৰতি আৰু প্ৰীতি অতি। ভোজনত ব্যতিক্ৰম ঘটিলেই তেওঁৰ টিউচ্ কৰে গং উঠে ; আৰু তৎপশ্চাৎ মুখৰ পৰা শাপ ওলায় ! নোলাবই বা কিয় ? চতুৰ্ব্বৰ্গৰ মূল ভোজন। ভোকৰূপী কালি সৰ্ম্মই মৰ্ম্ম-

স্থানত দশন কবিলেই চিৎপতাং আক মুক্তা। টেঙব দুর্য্যোধনে জানি-শুনিয়েই সেইদেখি দুর্ব্বাসাক পাণ্ডৱব বনবাসৰ কালত দুর্ব্বাসাৰ যাঠিহাজাৰ শিষ্যৰ সৈতে পাণ্ডৱৰ আলহী হবলৈ পঠিয়াই দিছিল। চোৱাং চোৱাৰ সহায়ত দুর্য্যোধনে জানি লৈছিল যে দ্রৌপদীয়ে সকলোকে খুৱাই বুৱাই, তেওঁক সূর্য্যই দিয়া তামৰ অক্ষয় ভাত চকটো ধুই পখালি আখাৰ ওপবত তুলি থলেই আলহীবোল একো নাথাকে। সেইদেখি দুর্য্যোধনে যোগাযোগ কবি তেনে সময়তে দুর্ব্বাসাক পাণ্ডৱব বহাত হাজিব কবাইছিল। শ্রীকৃষ্ণব কৃপাত সেই যাত্রাত পাণ্ডৱ বক্ষা পবিল। যি হওক দুর্ব্বাসা যে ডাঙৰ ঋষি, আৰু পেট-নভৰা বেদৰ মন্ত্রতকৈও ভোজন-মন্ত্র দৰ্শনত তেওঁ অগ্রণী দ্রষ্টা এই কথা অস্বীকাৰ কবিবৰ উপায় নাই। পুৰণি ভাৰতত দেবর্ষি ব্রহ্মর্ষি, বাজর্ষি, বৃন্দ বৃন্দ। যেনে—সনৎকুমাৰ, নাৰদ, ঋভু, দেৱল, আসিত, দেৱস্যাস, মার্কেণ্ডেয়, শুক, যাজ্ঞৱল্ক্য জাতুকর্ণ, আৰুণি, বোমশ, চ্যাবন, দত্তাত্রেয়, আসুৰি, পতঞ্জলি, বেদশিৰবা, দৌম্য, অগস্ত্য, পঞ্চশিখ, হিৰণ্যাভ, কৌশল্য, শ্রুতদেৱ, ঋতধ্বজ, ইত্যাদি। এই সকলোবোৰে ঋষিকৈ ওপৰ থাপত মই থলোঁ তোমাৰ দুর্ব্বাসাক। আন কি মৰীচি, অত্রি, ভৃগু, পুলহ, পুলস্ত্য, ক্রতু, অঙ্গিৰা, এই সপ্তৰিবো ওপবত। আন আন নাগাণে তেওঁলোকৰ ওপৰত ঠাই পোৱা ধ্রুৱ ওপৰতো,—যেনে,

"সপত্নী মাতৃৰ বাক্যে বিদাৰিল মন।
ধ্রুবে আসি আৰাধিলে তোমাৰ চৰণ॥
ত্রৈলোক্যৰ ওপৰে তাহাক থৈলা থাপি।
গোধিকাৰ পুচ্ছভাগে দেখিও অস্থাপি॥"

(কীর্ত্তন)

এই বিনিতে তোমাক আমাৰ ধকৰা কথা একাষাৰ কওঁ লগাই। ওৱাহাটী নিবাসী মোৰ "হৰিভকত" ইমান দুখতৈ তেওঁৰ "অষ্টাবক্র সংহিতা" খন নেলেখিলে যদি দুর্ব্বাসাসংহিতা এখন লেখিলেহেঁতেন, তেন্তে কাহানিবাই কিনোতাই সেইখন থপিয়াথপি লগাই শেষ কবিলেহেঁতেন। এতিয়াও লগাই তুমি ছল পালে তেওঁক সেই কৰ্ম্ম কবিবলৈ কব পাৰা, তেনেহলে, দুর্ব্বাসা-সংহিতাৰ বিক্রিৰ পইছাতে অষ্টাবক্রও ছপা হৈ ওপাই কিছু ধন হাতত বাখি হৈ থাকিবব সম্ভৱ। যাওক, এইবাৰ অবান্তৰ কথা। মাজে মাজে এনে অবান্তৰব, দুর্ব্বাসি আৰু দুর্গতি তোমাৰ গুৰু ববৰকৱাৰ হৈয়েই থাকে।

হে শর্ম্মা লগাই! তোমাৰ মনত আছে নে নাই,ই কব নোৱাবোঁ। মই এদিন তোমাক তৈতিৰীয় উপনিষদৰ পৰা ভৃগু আৰু বৰুণৰ উপাখ্যানটো কৈছিলোঁ। ভৃগুবে তত্ত্বজ্ঞানী পিতাক বৰুণক এদিন কলে "অধীহি সে ভগবন্ ব্রহ্মেতি।" অর্থাৎ হে পিতা! মোক ব্রহ্ম কি বস্তু কোৱাঁ? বৰুণে নিজে সেই কথাৰ উত্তৰ নিদি কলে "তুমি নিজেই ভালকৈ ভাবি চোৱাঁ।" অনেক ভাবি-চিন্তি ভৃগুবে কলে—"অন্নই ব্রহ্ম।" উত্তবটো বৰুণৰ মনঃ নাথাণত ভৃগুক তেওঁ আকৌ চিন্তা কবিবলৈ কলে। কেইবাটাও চিন্তা আৰু উত্তবৰ পিছত ভৃগুবে যেতিয়া কলে—"সচ্চিদানন্দই ব্রহ্ম।" তেতিয়া বৰুণে হেঁ বুলিলে। মই কওঁ; বৰুণে যিহকে কওক, ভৃগুৰ প্রথমতে এই আমাবেই যি কৈছিল, সেয়েই ঠিক। Love at first sight অর্থাৎ প্রথম দর্শনতে ওপজা প্রেমেই ঠিক প্রেম। দ্বিতীয়, তৃতীয়, চতুর্থৰ সহায়ত ওলোৱাবোৰ তর্কাতর্কিৰ মলগু। সস্থানে পোনতে যুক্তি-তর্কৰ সহায় নোলোৱাকৈয়ে মাকক চিনে; তাৰ পিছতহে পৰিচালক আনবোৰক। কোনে দুই কবিব যে সন্তানৰ পক্ষে মাকেই সকলো এতেকে বৰুণ-নন্দন ভৃগুক মই হাত-চাপবিবে সমর্থন কবোঁ। পেটত অন্ন নপবিলে চিন্তাৰ ভিকাচনেই ভাগে। অৱশ্যে গান্ধি এই নিয়মৰ ব্যতিক্রম। গান্ধি মহাত্মা আৰু অ-গান্ধিবোৰৰ ক্ষুদাত্মা। এইটো জানি থলেই আহকাৰৰ হাত সাবিব পাবিবা।

পেট ভবাই দিনো থাবলৈ পোৱাজনে ভোকত আঁত শুকুৱা মানুহৰ মনৰ অৱস্থা কি জানিব? পেটুৱা জনিৰাৰ ঘিউ-মৌ খোৱা বন্ধা আৰু মোহনভোগ খোৱা বলিয়াই, দিনো পুবাকৈ এসাজি থাবলৈ নোপোৱা ভুখীয়া প্রজাৰ দুখ কি বুজিব? "বন্ধ্যাঃ কিম্ জানাতি প্রসব-বেদনাং"। জমিদাব, তালুকদাব, "চাহ-দাব," "গোসাঁই-দাব," "প্রভু-দাবে" সঙ্গীতচর্চ্চা, চলচ্চিত্র চর্চ্চা, কাব্য চর্চ্চা, সাহিত্যচর্চ্চা

কৰে কিহৰ বলত? ভোজনৰ বলত, পেটৰ দহত। এইবাবে মিটো মগনিয়াবে গীত গাই বা বাদ্য বজাই মাগিবলৈ আহে, তাক মই শিক্ষা নিদিওঁ; কাবণ সি আচল ভিকৰ নহয়। পেটৰ পোৱনিত মৰা আচল ভিকৰুৱে মুখত গান নোলায়। শাস্ত্রত কৈছে— "মৃদঙ্গ, মুখলেপন কৰোতি মধুৰ ধ্বনিং।" এইবাবেই "বাদ্য সৃকলে" দেতিয়া সভা পাতি দুখীয়াৰ দুখ ওচাই দেশ উদ্ধাৰ কবিবলৈ যায়, সেই সভালৈ মই নাযাওঁ, গান্ধিয়ে সভাপতি মাতিলে কিন্তু যাওঁ। থাবলৈ নাপাই লঘোনে থকা প্রজাৰ প্রকৃত দুখ, গান্ধিয়ে নিজে দীঘলীয়া লঘোন দি বুজি কথা কয়।

আমাৰ সকলো উৎসৱ, ব্যসন, শোক ইত্যাদিত যেন অনা ব্যৱস্থা শাস্ত্রই দিছে। অকল বঙৰ বিষা-সবাহতে যে অকল ভোজৰ ব্যবস্থা এনে নহয়, শোকৰ শৰাদ্ধতো, "মৃতাহে ভুৰি ভোজনং" বিধি। অনেক জাতৰ মানুহৰ ভিতৰত কাবো জাত গলে, সি জাতৰ মানুহক ভোজ খুৱাই জাতত উঠে। আমাৰ ব্রাহ্মণ-ভোজন, কঙালি-ভোজন, ভকতক চাউল গুইটা, বৰকাছ বা হাঁহ মাবি ভাত খুইবাক ওবিতে ব্রহ্ম-প্রাপ্তি, আৰু সেয়ে ভৃগুৰ প্রথমযাৰ "অন্নং ব্রহ্মং" কথাৰ মাজনী। বৈষ্ণৱ নাবে কৈছে—

"বিপ্রৰ মুখে ভুঞ্জো যেন কবি।
বস্তুৰ ছোমো নোহে তাৰ সবি॥"

ব্রাহ্মণেই ভোজনৰ প্রতীক; কাবণ প্রকৃত ব্রাহ্মণ সদায় ভিকত। সেই দেখি বামুণৰ ভোকত শান দিয়া জিভাই খোৱা বস্তুৰ যিমান সোৱাদ পাব, আনৰ দগলা জিভাই যিমান নাপাব। শ্রীকৃষ্ণয়ো গীতাত কৈছে

—"দৰিদ্রাং ভৱ কৌন্তেয়।"

অনেক হবিজনে মবাশ খায় বুলি তেওঁলোকক আমি ঘিণাওঁ। কিন্তু ভাবি নাচাওঁ, যে ভবেলা ভৰাজি পেট ভবাই থাবলৈ নোপোৱা তেওঁলোকে মৰা-শ নাখাই কি কবিব? থাবলৈ নাপালে মানুহে অখাদ্য খাওয়া প্রাণ ধাবণ কবে। দুহাতেও মুখত ভবাবলৈ বস্তু থকা অনেক ধনী দুখীয়াই মৰা-শ নালাগে জীয়া-শও নাখায়। ঘিউ, মৌ, গাখীব, সব, লৱনুবেই তেওঁলোকে কার্য্য সমাধা কবে। বর্ত্তমান মনুষ্য-সমাজত প্রচলিত বাষ্ট্রীয় আৰু সামাজিক ব্যৱস্থাই এই পৃথিবীত দুখীয়াক "নান্নং নবজং নচ বাৰি পাজং" কবিছে। দুখীয়াই পেট ভবাই থাবলৈ পালে মৰা-শৰ ওচবলৈকে কেতিয়াও নাযায়। আমাৰ সুখীয়া বৰুৱা দুকণ শইকীয়া ববাই তেনে কাম কবে নে? আমি তেল্‌তেলীয়া মুবত তেল ঢালোঁহক। বৰক ভোজ খুৱাই কৃতার্থ হওঁহক। দুখীয়াক দুবতে ছেই ছেই কবোঁ। এইবোৰ কার্য্য কবি গুণ্ড মাৰি সমাজত বৰ মানুহটো হৈ ভেম জুৰি বহোঁহক। মুঠতে জানি থবা লগাই। পেটত নাড়ি বা নাই, আৰু নাইতে পেট। ঈশ্বৰৰ নাভি-পদ্মত হে সৃষ্টিকর্ত্তা ব্রহ্মাৰ জন্ম।

আচল কথা, ভোজন, ভোজন, আৰু ভোজন; আৰু উবাইথুবাই ভোজন। ভোজনেই সকলো পাপৰ খণ্ডন। পাণ্ডৱ বাৰ বছৰলৈ বনলৈ গৈছিল, এই দুখতে মহাভাৰত মিয়মাণ; আৰু মহাভাৰতৰ পাঠক পাঠিকাবো চকুত পানী। কিন্তু আজিলৈকে কোনেও এবাৰ ভাবি নাচালে বনত তেওঁলোকৰ দুখটো কত ছৈছিল? মহাবনী ভীমে দিনো বিধে বিধে চবাই পহু মাবে, গোটে গোটে বনা বধে, আৰু নিপুণা বান্ধনী দ্রৌপদীয়ে সূর্য্যই দিয়া তামৰ চকত আমোল্ মোলকৈ বান্ধে, আৰু জাক পাতি পাঁচোজন পাণ্ডৱে যায়। তদুপৰি লগবীয়া পুবোহিত বামুণ অমুক পণ্ডিত, তমুক আৰ্চার্য্য, তমুক ঋষিৰ জাকে জাকে উপাৰি উপাৰি খায়। গছৰ পকা ফল মূল ওপৰঞ্চি অপাণা। যদি পাণ্ডৱৰ ভোকে তেওঁলোকৰ পেটত পীড়া দিলেহেঁতেন, এদিনলৈকে হস্তীনাপুৰৰ দুর্য্যোধন, কর্ণ, শকুনিলৈ তেওঁলোকৰ মনত নপবিলেহেঁতেন; বাজ্য ওভোতাই পোৱাতো দূৰৰ কথা। মানৰ উপদ্রৱত পলাই যোৱা থাবলৈ নোপোৱাই পেটৰ পোৱালিকো বাট দহিয়াই পেলাই দৈছিল। হিন্দুৱে বিচাৰে যে বিধৱাৰ যেন মবা পতিলৈ সদায় চেবেং চেবেং কৈ মনত পবি থাকে। সেই দেখি তেওঁলোকৰ শাস্ত্রই বিধৱালৈ আউদী একাদশীত নির্জ্জলা উপবাস ব্যৱস্থা কবিছে। অর্থাৎ বাঁবীৰ পেটত ভোকে যিমান উদ্বগুলি কবিব, সিমানকৈ বাঁবীয়ে

মবিযোরা গিবিয়েকলৈ হামবাও কাঢ়ি মবিব।—দেহি ঐ! মোৰ গিৰিহঁত থকাহেঁতেন ভোকে মোৰ পেটত ইমানকৈ দৌৰাত্ম্য কৰিব পাৰিলেহেঁতেন নে।

হৰি! হৰি! তাহানি আমাৰ ৰংপুৰৰ মতি বাবু! তেওঁলৈ মোৰ সদায় মনত পৰে। বেচেৰা ভোজন-ব্যৱহাৰত এজন বিচক্ষণ "চমজদাৰ" আছিল। তেওঁক দুৰ্ব্বাসা মুনিৰ পিছতে মোৰ হলে ঠাই দিবৰ মন যায়। কলিকতাত তেওঁ অসমীয়া ছাত্ৰসকলৰ বহাত থাকোতে তেওঁৰ ভোজনৰ বাহাদুৰী মই ভালে মান দেখিছিলোঁ। এদিনৰ এটা কথা কওঁ। এদিন এটা ভোজত তেওঁ টেটুলৈকে খাই উশাহ নাপাই যায় যায় আৰ। ডাক্তৰ সকলে ডাক্তৰ মাতিবলৈ খদমদ্ লগাতে তেওঁ শেহাই মাত লগালে, "না লাগে ডাক্তৰ মাতিবলৈ যাব। ডাক্তৰে আহি তোমাক বড়ি এটা খাবলৈ দিব। তাৰ ঠাইত বৰং মই আক এটা বসগোল্লাকে দিলিম।"

শেহত কওঁ তোমাক ৰখাই! তেতা যুগৰে পৰা আজিলৈকে যদি কোনোবাই ইহ জগতত সুখেৰে দিন কেইটা কটাইছিল। সেইজন বাৰণৰ ভাইক শ্ৰীমান কুম্ভকৰ্ণ। তেওঁতকৈ সুখীয়া কাকো দেখা নাযায়। তেওঁ পেট ভৰাই ডুবি ভোজন কৰি ললে, আক চকু ভৰাই দীর্ঘাতিদীর্ঘ শয়ন কৰি গল। পৃথিবীত দুটা মুখ্য কাম তেওঁ সন্তোষজনকৰূপে সমাধা কৰি যাৱচ্চন্দ্ৰ দিবাকৰ থকালৈকে সুকীর্ত্তি ৰাখি গল। প্ৰভু ৰামচন্দ্ৰই বেচেৰাক শেহত বধি ভালকে কৰিলে; কাৰণ সেই দুটা কাৰ্য্যত তেওঁ তেওঁৰ জীৱনৰ শেহ ছোৱাত সুখত পৰিবৰ উপক্ৰম সৰ্ব্বতোভাৱে হৈছিল। কুম্ভকৰ্ণক বিধাতাই চিঞ্চিছিল জেতাৰ আগছোৱাতে। তেতিয়া পৃথিবীত তেওঁৰ খাদ্য জন্তুবোৰ আকৃতিত বৃহৎ বৃহৎ আছিল; আৰু সেই অনুৰূপে বিধাতাই তেওঁৰ মুখ বিবৰ কাণ আৰু নাকৰ বিস্তাৰোৰ প্ৰস্তুত কৰি দিছিল।

জেতাৰ শেষ ডোখৰত যেতিয়া ৰাম ৰাৱণৰ যুদ্ধ লাগিল, কুম্ভকৰ্ণৰ খাদ্য জন্তু ভালুক বান্দৰ, হাতী, ঘোৰা, বৰা ইত্যাদি জন্তুবোৰৰ আকৃতি, প্ৰকৃতিৰ নিয়ম অনুসাৰে সৰু সৰু হৈ পৰিছিল। তেওঁৰ টোপনি ভাঙি দি যেতিয়া তেওঁক যুঁজ কৰিবলৈ অবিবেচক ৰাৱণে লগাই দিলে, তেওঁ ককাতেকক কলে, "ৰবা ককাইদেও! মই আগেয়ে চুৰ্চুৰীয়াকৈ জলপান এটা খাই লওঁ।" এই বুলি তেওঁ মুঠিয়ে মুঠিয়ে ৰামৰ সৈন্য ভালুক বান্দৰ বোৰ মুখত সুমাবলৈ ধৰিলে। কিন্তু সেই আগৰ তেওঁৰ পুৰণি মুখ প্ৰাচীন কাণ আৰু মাক্কাতাৰ আমোলৰ নাকৰ ডাঙৰ ডাঙৰ বিস্তাৰবোৰেদি। সেইবোৰ সুৰ সুৰ কৰে সৰকি ওলাই গুচি গৈ সিহঁতে যেতিয়া বাহিৰত কিৰিলিয়াবলৈ ধৰিলে তেতিয়া কুম্ভকৰ্ণ বাজন্তে মৰি যাওঁ—মৰি যাওঁ যেন হল!! এনে অৱস্থাত কুম্ভকৰ্ণৰ জীয়াই থকা বিড়ম্বনা নহয়নে? এতেকে ৰামে তেওঁক বধ কৰি ৰক্ষা কৰিলে।

এতেকে হে লখাই শৰ্ম্মা! আজি তুমি অতি সহ কাৰ্য্য কৰি আছিহা। চিত্ৰগুপ্তৰ জমা-খৰচত বহিত আজি তোমাৰ পুণ্য কাৰ্য্যটো লোণৰ চেকুৱা যেন হৈ জমা হৈ বল। ইতি।



কামৰূপৰ বুৰঞ্জীৰ আহিলা-পাতি

—পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ

কামৰূপত প্ৰচলিত থকা খেলা, খোত (কছবৎ) আৰু সাঁতোৰ।

কোনো এটা জাতিৰ বা কোনো এখন দেশৰ প্ৰাচীন সংস্কৃতি আৰু শৌৰ্য্য বীৰ্য্য প্ৰভৃতিৰ বিষয় সম্যক জ্ঞান লাভ কৰিব লাগিলে ইতিহাস চৰ্চ্চা অপৰিহাৰ্য্য। ইতিহাস বুলিলে কোন শকত কোন ৰজাৰ পাছত কোন ৰজা হ'ল আৰু কোন যুদ্ধত জয় পৰাজয় কৰা হ'ল ইয়াৰ এখন "লিষ্ট" মাত্ৰ নহয়। ইতিহাসৰ ভিতৰত দেশৰ শৌৰ্য্য বীৰ্য্যৰ কথাৰ নিচিনা ধৰ্ম্ম-কৰ্ম্ম আচাৰ ব্যৱহাৰ প্ৰধান প্ৰধান লোকৰ জীৱন চৰিত, আমোদ-প্ৰমোদ খেলা ধুলা, পূজা-অৰ্চ্চনা আদি সকলো বিষয়ৰ থাকিব লাগে। সংক্ষেপে কব লাগিলে মহাভাৰত যি অর্থত হিন্দুৰ ইতিহাস, সেই অর্থত বিশেষকৈ দেশ কাল পাত্ৰ চাই এতিয়া তাতকৈও ব্যাপক অর্থত ইতিহাস বচিত হব লাগে। আমাৰ দেশত স্কুলীয়া নবাৰ পঢ়াৰ উপযোগী ইতি-হাসৰ বাহিৰে আজিলৈ কোনেও ইতিহাস বচনাৰ চেষ্টা কৰাৰ বুজ এতিয়াইলৈ পোৱা নাই। দেশৰ সকলো কথা ভাল দৰে জানি শুনি স্বাধীন আৰু নিৰপেক্ষ ভাবে ইতিহাস বচনাৰ সময় আহি পৰিছে। এনে ইতিহাস বচনাত সহায় হব যেন ভাবিয়ে কামৰূপ সম্বন্ধে আমি জনা সকলো কথা প্ৰকাশ কৰিবৰ মন কৰাৰ কথা এই প্ৰবন্ধৰ আগতে কোৱা হৈছে। দুনাই সেই কথাকে ইয়াত কোৱাৰ অর্থ এই যে, আমাৰ দেশৰ খাল-বিল, বন-জঙ্গল, নদী-নালা থান-সত্ৰ যতে যি আছে (সাধাৰণতে মিথিলাকৰ আৰশ্যক নাই বুলি ভাবে) সকলোকে যেন প্ৰকাশ কৰিবৰ চেষ্টা হয়।

সম্প্ৰতি আমি কামৰূপত প্ৰচলিত থকা খেলা, খোত, আৰু সাঁতোৰ কিছুমানৰ নাম তলত লিখিলোঁ।

কামৰূপত প্ৰচলিত থকা খেলা বোৰৰ বিষয় চিন্তা কৰি চালে এই বোৰক তিনিটা প্ৰধান ভাগত ভাগ কৰিব পাৰি যেন—(১) লৰা-ছোৱালী উমোলোৱা খেলা

(২) বুদ্ধি বা মস্তিষ্কৰ পৰিচালনা কৰা খেলা

(৩) অঙ্গ প্ৰত্যঙ্গ পৰিচালনা কৰা খেলা।

শেষৰ দুবিধক ডেকা বুঢ়া ভেদেও আকৌ বেলেগ বেলেগ ভাগ কৰিব পাৰি। সম্প্ৰতি এনে সূক্ষ্ম ভাগ নকৰি আমি যথা সম্ভৱ ওপৰত লিখা তিন ভাগতে ভাগ কৰি খেলা বিলাকৰ নাম মাত্ৰ লিখিম। প্ৰত্যেক খেলাৰ খেলোৱা নিয়ম প্ৰণালী লিখিব লাগিলে প্ৰবন্ধ অতিশয় দীঘল হব। এনে দীঘল প্ৰবন্ধৰ বাবে 'আল্লাহন'ত ঠাইৰ নাটনি হব। কেতিয়াবা যদি এই প্ৰবন্ধবোৰৰ ৰূপ সলনি কৰি বাইজৰ আগত উপস্থিত হব পাৰে তেতিয়া আৱশ্যক বুজি কিছুমান খেলাৰ খেলোৱা নিয়ম প্ৰণালীও লিখিবৰ আৱশ্যক হব। কোৱা বাহুল্য যে, এইবোৰ খেলাৰ ভিতৰত অনেক খেলা স্কুল কলেজ বিলাকত প্ৰচলিত হলে বৰ্ত্তমান স্কুট বল আদিৰ খেলাতকৈ লবাৰ বেছি উপকাৰ হব।

১। লৰা-ছোৱালী উমোলোৱা খেলা

১। চিকি মিকি ২। ইছু-নি-বিছু-নি ৩। লেটুক গছ। ৪। ফেচুৰ ধলা ৫। বালা কামোৰা ৬। দুদ ভাত ৭। তুনি তুনি ৮। ডিমা পাৰা ৯। দধি মথন ১০। ডিমা উৰোৱা (ভোট এবাৰ এঠা দুবৰীবনৰ আঙুঠেৰে) ১১। কাই কুটী ১২। ঘৰ ছিকা ১৩। চিলা উৰোৱা ১৪। ঘোৰা ছোৱা ১৫। হাথী হাথী ১৬। হাত ধোলা ১৭। কইনা বৰ

১৮। ধুলাৰ ঘৰ ১৯। ভাত বান্ধা ২০। মিত্ৰ বন্ধা ২১। ডিমা খেলা।

২। বুদ্ধিৰ পৰিচালনা কৰা খেলা

১। বাঘ বোল ২। মোগল পাঠান ৩। গাটা গুটি ৪। সৰ্ব্বজন ৫। তুল নতুল ৬। পাইট (ক) ৯ পেটীয়া (খ) ১২ পেটীয়া (গ) ১৬পেটীয়া (ঘ) ২৪ পেটীয়া ৭। তিনি ঘাৱা ৮। কড়ি খেলা ৯। বৈকুণ্ঠী খেলা ১০। ৰাজা ৰাজা ১১। পাশা খেলা ১২। দৰা খেলা ১৩। তাচ খেলা (আধুনিক) ১৪। আজা খোৱা ১৫। দহি দহি ১৬। বুদ্ধি বোল ১৭। এটা বাঘ মাৰা ১৮। খৰিকা টানা ১৯। ফুল ফুল ২০। ত্ৰিভুজ খেলা

৩। অঙ্গ-প্ৰত্যঙ্গ পৰিচালনা হোৱা খেলা

১। চোৰ চক্ৰ শান ২। ছিকা ফান্দ ৩। বৰ গোৰখীয়া ৪। বচ্ কচ্ ৫। মাগুজ ৬। লুকা ভাকু ৭। ককালচিঙ্গা ৮। মাকু মাকু ৯। ছাগল চোৰ ১০। দল পুঁজা ১১। বুঢ়া আঙ্গুলীৰ গাঠি ১২। কুমাৰৰ চাক ১৩। ঠেৰকি ঠেৰো ১৪। কুকুৰ মেকুৰী ১৫। ঘোৰা ঘোৰা ১৬। দেপ ১৭। চুৰা চুৰা ১৮। যুৱতী টানা ১৯। খিলা খেলা ২০। হাথী কবেছা ২১। দাদিগ দিগা ২২। শোল খেলা ২৩। চিলেনী ছানা দিয়া ২৪। থুকচা ২৫। কাঁড় ২৬। হাবিচক্ৰ ২৭। গাৰী গাঠি ২৮। বাটা ২৯। দোৱা ৩০। বন্দিয়া মোপ ৩১। চকুত ধৰা ৩২। মাছ বাকলী ৩৩। পানী কাউৰী ৩৪। ফুট কলে ৩৫। হাঁহ নি বজা ৩৬। হাউ (ক) ধৰা হাউ (খ) বহা হাউ (গ) বন্দীয়া মাৰাহাউ (ঘ) ডবল হাউ (ঙ) যুৱতীয়া হাউ ৩৭। বান্ধি চোৰ (৩৮) মাটী কঁয়া ৩৯। ঘৰা ধুপ ৪০। চৰে দেখুৱা ৪১। ডবল মুৰি ৪২। হাফোল দিয়া ৪৩। লৰা হাফোল ৪৪। জৰি জাপ ৪৫। কঞ্জে কঞ্জে ৪৬। তল জপোৱা ৪৭। তিৰ্যহ তিয়হ ৪৮। হাউৰে খেলা ৪৯। নবম গৰম ৫০। কপালত টিকলিমৰা ৫১। চুৰ চুৰ ৫২। কলহ ভাঙ্গা ৫৩। আঙুলী কাটা ৫৪। মৌভাঙ্গা ৫৫। সাত খুটী তুলা। ৫৬। বুকত বাঁহ লৈ উঠা ৫৭। ফাকুলী ৫৮। জেক্ উভৰা ৫৯। বাঁহত উঠা ৬০। বাম্ বোল পিটা ৬২। খুব পোতা ৬৩। টাং গুট ৬৪। কুৰ কুৰি হাউ ৬৫। বাণ্টাখেলা ৬৬। খোলী বাণ্টা ৬৭। কুঁহিয়া বাণ্টা ৬৮। লাচীন ৬৯। গাউনি গাউনি ৭০ চাক ৭১। দলা দলা ৭২। লেম্পুৰ বাণ্টা ৭৩। কুহিঁয়াৰ পেৰা ৭৪। তেল পেৰা ৭৫। ঠেং চুচু ৭৬। আদি বাণ্টা ৭৭। খিলা খেলা ৭৮। বগলী খেলা ৭৯। কেছে কেছে ৮০। মুৰা তুলা ৮১। হাকুটো মাকুটো ৮২। বচ্ কচ্ বুলবুলি। ৮৩। শুদ্ধি ৮৪। চিত পত ৮৫। হাচতি ৮৬। শব্দভেদী ৮৭। চিলনী ৮৮। গুল্লা। ৮৯। পলোৱা বাঘ ৯০। চিতিকা পতেকা ৯১। জোখনী ৯২ কাটা। ভাঙ্গা ৯৩। বাঘ বাঘ ৯৪। চন চনা ৯৫। দলনী ৯৬। জোৰ হাথা ৯৭। বুলবুলী ৯৮। সামুখ ৯৯। ধৰা ধোপ ১০০। বান্দৰ বান্দৰ ১০১। কাচো কাচো ১০২। ঘটঘটী ১০৩। ঘুৰ ঘুৰ বাত্তি লোৱাৰ বাতি ১০৪। নাউখেল।

খোত বহুতো আছে সকলো বোৰতে কম বেছি পৰিমাণে অঙ্গ পৰিচালনা হয়। বৈজ্ঞানিক ভাবে পৰীক্ষা কৰি চালে এই বোৰত কিবা দোষ আছে নে নাই জানিব পৰা হব। অনেক খোতত শৰীৰ সকলোবোৰ পেশীৰে কাৰ্য্য হোৱা দেখা যায়।

খোত (কছৱৎ)

১। মুৰা খোত ২। আলগা খোত ৩। উল্টা খোত ৪। গোমুৰা খোত ৫। আৰ কাতি খোত ৬। বাগৰা খোত ৭। ছালেণ্ডী সোৰকা খোত ৮। বাহুলী ওলোমা খোত ৯। টঙ্গাল মছৱা

এইবোৰ খোতৰ আৰু নানা প্ৰকাৰ ভেদ আছে। যেনে :—বাহঁৰ ওপৰৰ পৰা দিয়া আৱা, চোলৰ ওপৰৰ পৰা দিয়া আৱা, আৱা দি মানুহ চেৰোৱা, ইত্যাদি। এনেকুৱা প্ৰকাৰ ভেদৰ ঠাই ইয়াত নাই। তেনে বোৰ

ভেদৰ কথা আলোচনা কৰিব লাগিলে খোত বা কছৱতৰ এখন বেলেগ কিতাপ হব।

আমাৰ দেশ নদী-নালা, খাল-বিলেৰে ভৰপুৰ আছিল। এতিয়া অৱশ্যে প্ৰাকৃতিক পৰিবৰ্ত্তনৰ দ্বাৰা অনেক বিল খাল মৰি গৈছে বহুতো নদী নালা, বিল খাল থকা গতিকেই কাম কাপত নানা প্ৰকাৰ জলক্ৰীড়া আৰু সাতোৰ প্ৰভৃতিৰ প্ৰচলন আছিল। তাৰ ভিতৰত কেইবিধ মান সাতোৱৰ নাম তলত উল্লেখ কৰা হ'ল।

সাতোৰ

১। ভেলা ভাহা ২। হাত ধপিয়াই খোৱা ৩। কাণ বাই খোৱা ৪। জুখুলী সাতোৰ ৫। সাগৰ ঢৌ সাথুৰ ৬। সাগৰ সাতোৰ ৭। দলী পুৰী সাতোৰ ৮। পানী কাউৰী সাতোৰ ৯। থিয়া সাথুৰ ১০। বাঘ সাঁতোৰ ১১। ডুবিৰাই খোৱা ১১। পানীৰ তলৈ মুৰ আৰু ওপৰলৈ ভৰি কৰি খোৱা সাঁতোৰ। সাতোৰ বিলাকৰ নাম ক্ৰমানুসৰে লিখা হ'ল অৰ্থাৎ প্ৰথম শিকাধাঁয়ে, আগে লিখা সহজ সাতোৰবোৰ শিকি তাৰ পাছত থিয়া সাতোৰ প্ৰভৃতি কঠিন সাতোৰ বোৰ অভ্যাস কৰাৰ প্ৰথা প্ৰচলিত আছিল।

প্ৰতিধ্বনি

গল্প—

—শ্ৰীযুত হলীৰাম ডেকা এম-এ, বি-এল

মানুহৰ মুখত শুনা যায় যে ৰামকমল চলিহাৰ পঢ়া শুনা আছে; বহুতে কয় তেওঁ সুবিবেচকো কিন্তু মানুহে জগতত mis-read নকৰে বা ভুল বুজে এনে মানুহ কেইটা আছে? মই বহুতদিনলৈকে তেওঁক দেখা নাছিলো, চাবৰ আগ্ৰহো কৰা নাছিলো—আৰু যে কেতিয়াবা চিনাজনা হম এনে ভৱসাও নাছিল। এদিন গধূলি মই মোৰ দুজন লগৰীয়াৰ লগত লুইতৰ পাৰত ফুৰিবলৈ ওলাইছিলো; তেওঁলোক মোৰ সহপাঠী; মই ছাত্ৰী, তেওঁলোক ছাত্ৰ। আমাৰ আগেদি প্ৰায় আদহীয়া বয়সৰ এজন ভদ্ৰলোক অতি নিকা কাপোৰ পিন্ধি উদাসীন দৃষ্টি এটা লৈ লাহে লাহে খোজ কাঢ়ি গৈছে। আমাৰ এজন সঙ্গীয়ে কলে "দেখিছ বিৱহী চলিহা?" আনজন সঙ্গীয়ে কলে—"অ, ৰামকমল চলিহা! মানুহ জন শিক্ষিত বোলে।" আগেয়ে কোৱা জনে কলে—"এক নম্বৰ ভেড়া মাৰ্কা।" ইজনে কলে—"কেনে ৰকম! মানুহজন মই শুনিছো নিতান্ত নিৰীহ আৰু ভদ্ৰ প্ৰকৃতিৰ।" "তুমি নো শুণ্ডা কি? জগতত যত মানে অসমৰ্থ, অকৰ্ম্মণ্যা, বচেবা সেইবোৰেই তোমাৰ আদৰ্শ স্থানীয়। ৰামকমল চলিহাই ভাবতে ঢলি পৰে, কুলিৰ কোঢ়ালত কবিতা বচে, নিজানত বহি বিৰহী-প্ৰিয়াৰ ছবি আঁকে, তেওঁ তোমাৰ আদৰ্শ, তোমাৰ hero নহৈ আন কোনো পৌৰুষ থকা মানুহ হবনে?" আনজন সঙ্গীয়ে উত্তেজিত হৈ কলে—"খোৱা, খোৱা, লোকৰ বদনাম চোন কল্পিতই হওক সেইবোৰ পালে তোমাক একো নালাগে। মই জানোঁ চলিহা লেখা-পঢ়া-জনা মানুহ।" আগৰ জনে কলে—"তুমি নো কি নাজানা? তুমিয়ো এটা 'ফুল' (মূর্খ)! লেখা পঢ়া কৰিলেই যদি পণ্ডিত হ'ল হেঁতেন, তেওঁতা ফালিলেই যদি সুন্দৰী হ'ল হেঁতেন তেনেহলে কথাই নাছিল।" এই কথাষাৰত মই অনিচ্ছাতো কপালৰ আগৰ চুলি কেডাল নাৰি চালোঁ, কিজানি মোলৈ ও কিবা ইয়াৰ ভিতৰতে ইঙ্গিত আছে। হয়, মোৰ চুলি উকহা হলেও পৰিপাটি আছিল। এই কথাষাৰ শুনাৰ লগে লগে মোৰো অন্তৰত যেন এটা ক্ষোভ জাগি উঠিল আৰু অনিচ্ছাতো কৈ পেলালো—"বাৰু মানুহ জন কেনে মই নিজে তাৰ এটা বিডিং লম (পৰীক্ষা কৰি

চাম) আপোনালোকে এতিয়া বেছি উচ্চবাচ্য নকৰিলেও হব।" এজনে কলে—"ফুল-হাৰ্ডি, মিছ মজুমদাৰ ; তেওঁৰ অতীতৰ জীৱন-ছোৱা তেনেই নিষ্কলঙ্ক নহয় ; বোধ হয় তাৰ গৰাহৰ পৰা আপোনাকো ঘূৰাই পোৱা টান হব।" মই যদিও কথাষাৰ অন্তৰৰ পৰা বৰ ভাল পোৱা নাছিলো তথাপি সমাজৰ নিয়ম ৰাখি অতি ভদ্ৰ ভাবেই কলোঁ—"জগতত সকলোৱে যেতিয়া এবাৰ নহয় এবাৰ পূৰ্ব্বৰ অৱস্থালৈ প্ৰায় ঘূৰি অহা দেখা যায়, কোনে জানে যে মই আকৌ এবাৰ ঘূৰি আহি আপোনালোকৰ মাজতে নপৰিম হি ?" তেওঁলোকৰ প্ৰায় নামি যাব খোজা মনোতাপমান যন্ত্ৰৰ উদ্যমৰ পাৰা অলপ পৰ বল। কিন্তু তাৰ পিছত কথা বাৰ্ত্তাত তেওঁলোকৰ যেন কিবা এটা বস্তুৰ অভাৱ—এনে অনুমান হ'ল। এজনে মই ঘৰ পোৱাৰ আগেয়ে গ'ল, আনজনে মোক আমাৰ পদূলি মুখত এৰি অহাৰ আগতে অতি কোমল সুৰতে কলে "মোৰো মনে দেখোঁ বিপদ চিয়াইছে।" মই বুজিলো, চলিহা সম্বন্ধে মোৰ মন ভঙাবলৈ এইষাৰ কথা কোৱা হৈছে—আৰু যে অতি আন্তৰিকতাৰে কৈছে তাতো মোৰ সন্দেহ নাছিল।

আত্মজীৱনী লিখা কথাষাৰ অৱশ্যে ভাল নালাগে, কিন্তু নিজৰ বিষয় যিখিনি ভবা যায় তাকেই যদি লিখা হয় সেয়ে আত্মজীৱনী হৈ নপৰে নে ? মানুহে—মোৰ বিশ্বাস,—যিবোৰ জীৱনী লিখে, নিজৰ হওক পৰৰ হওক, সেই বোৰ যে ঘটনাৰ ফালৰ পৰা তেনেই সঁচা হবই তাৰ কোনো অৰ্থ নাই—কিন্তু সেইবোৰকে তেওঁলোকে সঁচা বুলি বিশ্বাস কৰে, ইমানকে কব পাৰি ! মোৰ নিজৰ বিষয়েও সেই একে কথা,—কিছুমান কথাত মই বিশ্বাস কৰোঁ সঁচা বুলি কিন্তু সেইবোৰ যদিও মোৰ মনত প্ৰকৃত সত্য, কাৰো কাৰো মনত কল্পিত সত্য যেনহে লাগিব পাৰে। সেই কাৰণেই মই কথা কওঁতে কওঁতে কেতিয়াবা ৰৈ যাওঁ, হঠাৎ মানুহৰ মনৰ এই গুপ্ত অবিশ্বাসৰ কথা মোৰ মনত পৰে আৰু ভাবোঁ মইতো কৈছোঁ—কিন্তু কিজানো তেওঁ কিমান দূৰ বিশ্বাস কৰিছে। ইয়াত লিপি-বদ্ধ কৰিব খোজা ঘটনাৱলীও মোৰ মনত তেনেই সত্য, নাজানোঁ আনে কি ভাবে লব।

চলিহাক কেনেকৈ কি সূত্ৰে দেখা কৰা যায় ভাবিলো। তেওঁৰ ঘৰলৈ অযাচিতে গৈ নিজৰ পৰিচয় আৰু লগে লগে অভিপ্ৰায় জনাম এই কথাষাৰ ভাবিবলৈকো ভাল নালাগিল কিন্তু আগ্ৰহ দেখিছোঁ দিনক দিনে বাঢ়ি গৈছে। এনেতে এটা কলেজ সক্ৰান্ত পৰবত (College function) চহৰৰ ভালে মান গণ্যমান্য মানুহৰ নিমন্ত্ৰণ হ'ল, চলিহাও সেই দিনা খন তাত উপস্থিত আছিল। নানাৰকম আমোদ আহ্লাদৰ মাজত ভালেখিনি পৰ গ'ল,—সন্ধিয়াৰ ছাঁ লাহে লাহে নামিল, চৰাই-চিৰিকতিয়ে জাকে জাকে ওপৰেদি ঘৰমুৱা হৈ উৰি যাবলৈ ধৰিলে, সেয়ে যেন আমাৰ আলহীবোৰকো সমিধান দিলে যে তোমালোকৰ যাবৰ বেলি হ'ল। জগতত অহা যোৱা কি যে দুটা ৰীতি, যেতিয়া তুমি আহা গমকে নোপোৱা, যেতিয়া যাবৰ সময় হয় তুমি যাব লাগিবই—যিমানে মনত দুখ নোপোৱা, যিমানে মায়াৰ বান্ধ কাটিবলৈ তুমি টান নোপোৱা, the guillotine falls and you have no escape ; ঠিক এনে সময়তে মোৰ এজনী সহ পাঠিকাই কলে—"নীৰদা, শেষৰ গীতটো তুমি গাব লাগে বোলে।" মই বোধ হয় আন সময়ত হোৱা হলে আপত্তি কৰিলো হেঁতেন, কিন্তু অকস্মাৎ কিয় জানো গাবৰে মন গল আৰু যে কোনোবাই মোৰ গান শুনিবলৈ ৰৈ আছে এই ধাৰণায়ো মোৰ মনত ঠাই পোৱা নাছিল, মই অতি স্বাধীন ভাবে আপোনাতে আপুনি পাহৰি কিবা এটি বিদায় বেলিৰ গীত গালো। মনত পৰিছিল লুইতৰ বাগৰি যোৱা ঢৌবোৰ, মনত পৰিছিল ৰঙা মেঘে ৰেঙাই যোৱা সন্ধিয়াৰ বেলিটো, আৰু মনত পৰিছিল অতীতৰ কীৰ্ত্তি স'তে মাৰ যোৱা দেশৰ গৌৰৱ আৰু মনত পৰিছিল মুমূৰ্ষু জনৰ বিদায় বেলিৰ শেষ চাৱনিটি। গীত শেষ হ'ল, মই smart ছোৱালীৰ নিচিনা টপকৈ উঠিব নোৱাৰিলো, প্ৰশংসাৰ চাপৰি পৰিল, ভালেখিনি পৰ। কাৰো মুখলৈকে চাব নোৱাৰিলো লাজ লাগিল—কিজানি কোনোবাই মনৰ ভাবটো ধৰি পেলালে, এই ভয়।

* * * *

বিভৱ নামে এজন ল'ৰাৰ লগত মোৰ কিজানো কেনে

ভাবে চিনা জনা হ'ল,—সি হেনো দুখীয়াৰ ঘৰৰ ল'ৰা অৱশ্যে মই ঠিক নাজানো। সি মোৰ সৰু ভাই এটাৰ লগত পঢ়িছিল, তেতিয়াৰ পৰা আমাৰ ঘৰলৈ তাৰ অহা যোৱা। ভাইটি কালৰ সোঁতত অকালতে পৰি নাই নুই হ'ল। বিভৱ মোৰ সেই ভাইটিৰে ঠাই জুৰি মোক "বাইদেউ" পদবী দি বহুত সময়ত মোৰ লগতে ঘূৰি ফুৰে। তাক মই বোলো 'মূৰ্খ'। সি এই সম্বোধনত একো বেয়া পোৱাৰ ভাব নেদেখুৱায়। তাক এদিন সুধিলো "বিভৱ, তই হেনো শ্ৰেণীৰ ভাল ল'ৰা, তোক মূৰ্খ বুলিলে তই চাগৈ বেয়া পাৱ ?" সি মোলৈ চাই কলে "তোমাক সুন্দৰী বুলিলে কেনে পোৱা ?" "ধেৎ ? ঠাট্টা কৰিব শিকিছ ?" "ঠাট্টা কিহৰ, সঁচা কথা কলে তোমালোকে বেয়া পোৱা, মই নাপাওঁ, মোৰ সেই ফেৰা দৃঢ়তা আছে।" তাৰ কথাষাৰ শুনি মোৰ তালৈ বৰ ভাল লাগিল, সঁচাকৈ ই বৰ সুন্দৰ লৰা,—সি মনে মনে জানে যে সি মূৰ্খ নহয়, সি ভয় কৰিব কিহলৈ ? আমি নাজানো যে আমি অসুন্দৰ, বিশ্বাস কৰিবলৈ সাহও নাই যে আমি সুন্দৰ, সেই কাৰণেই লোকে সুন্দৰ বা সুন্দৰী বুলিলে ভাল পাওঁ অথচ ভয়ও লাগে, ঠিক হাঁহিমুখে কথাষাৰি লব নোৱাৰোঁ।

কলেজৰ ফাঙ্কছনটো (সবাহখন) হৈ যোৱাৰ কেদিনমান পাছতে বিভৱে কলে—"বাইদেউ, আজিকালি তুমি কি ভাবি থাকা হে, মোৰ খং উঠে। নিৰাশ মুখ, ভগা মন—ঢেপঢেপীয়া ঢোল।" মই কৃত্ৰিম খঙৰ ভাব দেখুৱাই কলো—"কি বিদ্যা জাহিৰ কৰিছ অ ? কোনোবা মাষ্টৰে ঘৰত ৰচনা লিখি নিবলৈ দিছে নেকি—ভগা মুখ ভগা ঢোল ?" আমাক ঘৰত কৰিবলৈ কাম দিবৰ মাষ্টৰৰ সাহ আছে নে ? আজি কালি আগৰ দিন নাই,— লৰাক মাষ্টৰে বেতাব, ধমকি দিব বা task (কাম) দিবৰ একো এক্তিয়াৰ নাই ; আনকি পঢ়িবলৈও কব নোৱাৰে। বহুকালৰ উপদ্ৰৱকাৰী জাতিৰ গাত যেনেকৈ এসময়ত কালৰ সাঁচি খোৱা শাওপাত পৰেহি তেনেকৈ মাষ্টৰ-শিক্ষকবোৰৰ গাতো আজি বহুকালৰ ছাত্ৰৰ শাওপাত পৰিছে। আজি কালি ছাত্ৰতকৈ মাষ্টৰে 'নোট' লিখিব লাগে বেছি, পঢ়িব লাগে বেছি, ফাটফিট থাকিব লাগে বেছি, আনকি মনে মনেও থাকিব লাগিব বেছি। ল'ৰাৰ লগত কোঢ়াল কৰিলে সেই মাষ্টৰ বেয়া লৰাক পঢ়া ধৰি বেঞ্চৰ ওপৰত থিয় কৰিলে সেই মাষ্টৰে 'ডিছিপ্লিন' নাজানে, লৰাক ধমকালে সেই মাষ্টৰৰ শিক্ষা প্ৰণালী গৰ্হিত,—কাজেই আমাৰ ৰাম-ৰজাৰ দিন। এনে এটা দিনলৈ অপেক্ষা কৰি আছো যেতিয়া মাষ্টৰে পৰীক্ষা দিব আৰু আমি প্ৰমোচন পাম।" মই কলো—"অকণমান লৰাটোৱে সুন্দৰকৈ বক্তৃতা দিব শিকিছ ?" "তুমি ভাবিছা, তুমিহে গান গাব জানা,—আমি আৰু একো কামৰে নহলো।" "কোনে কলে তো'ক ?" সি শিঁয়াৰি কলে—"কোনে কলে তোক ?—বতাহে কলে, বসন্তই কলে, পপীয়া তৰাই কলে আৰু কোনে কলে ক'ম ?" খং দেখুৱাই কলোঁ "ক।" "ৰামকমল চলিহা দেৱে কলে।"—"তোক ক'ত, ক্লাচত কলে ?" "ক্লাচতেই বা কলে ?" "যা, যা, ধেমালি নকৰ।" "বাৰু, বাইদেউ, তোমালোকৰ কলেজত "গ্ৰামাৰ" (ইংৰাজী ব্যাকৰণ) নালাগে ?" মই কলো—"নালাগে" "তোমাৰ গ্ৰামাৰ মনত আছে নে নাই ?" "ক'চোন কি সোধ।" "তোমাৰ transferred epithet * মনত আছে নে ?" মই একো মতা নাই সি আকৌ কলে গ্ৰেৰ 'ইলিজি' মনত আছে নে ?—

"The curfew tolls the knell of parting day.
The plough man homeward plods his
weary way"

মই কলো—বৰং ৰুক্ষতাৰে, "বাৰু বুজিলো, transferred epithet ৰ লগত তোৰ কি সম্বন্ধ ?" "মোৰ সম্বন্ধতো কাৰো লগতে একো নাই, কিন্তু লোকে যেতিয়া সম্বন্ধ লগায়, তেতিয়া কি কৰিবা ! পিতা নাই, আই নাই, ভাই নাই, বন্ধু এটি আছিল সিও নাই। তথাপি কোৱাচোন তুমি কিয় মৰমৰ দোলেৰে বান্ধিলা ?" তাৰ বাবে এটা মোৰ হুমুনিয়াহ পৰিল।

* এটা শব্দৰ বিশেষণ আন এটা শব্দৰ আগত ব্যৱহৃত হোৱা কথা কোৱাৰ ভঙ্গি বিশেষ।—লিঃ

দুয়ো খানিকমান মনে মনে গৈছো, পিছত ময়ে কলো "কচোন, বিভব, কি কব খুজিছিলি।" "নকওঁ যোৱা।" "কচোন, ক।" "নকওঁ।" "কচোন ক, সোণাই।" "কব নোৱাৰিম, বাইদেউ।" "তোৰ নিচিনা লৰাৰো ইমান দুৰ্ব্বলতা আছে নে?" "আছে বাইদেউ, দুৰ্ব্বলতা কেতিয়া আছে কব নোৱাৰি। আৰু সি নিশ্চয় কোনোবা এটা দুৰ্ব্বলতাৰ আশ্ৰয় লৈয়ে আছে।" এটা হুমুনিয়াহ কাঢ়িলে। মোৰ চকুলো ওলাল।

অলপ পিছতে বিভবৰ মনলৈ আকৌ আনন্দ আহিল। কবলৈ আৰম্ভ কৰিলে "Transferred epithet তুমি বুজা দেখিছো, কিন্তু transferred affection * বুজা?" মই কলো "তই এটা উদাহৰণ দেচোন।" "যেনে তোমাৰ ভায়েৰা নাই, মোকে ভায়েৰা যেন দেখিছা, ইয়াত অৱশ্যে এটা 'বিকল্প' আছে। তাতকৈ ভাল উদাহৰণ দিও শুনা—তোমাক এজন মানুহে ভাল পায় ধৰা—তেওঁ তোমাক লগ নাপায়, তুমি মোক ভাল পোৱা তেওঁ জানে, তেওঁ সেই দেখি মোকে মৰম দেখুৱায়,—ইয়াকে বোলে transferred affection" মই হাঁহি কলো—"তোৰ ব্যাকৰণ, অলঙ্কাৰত বিশেষ ব্যুৎপত্তি হৈছে দেখোন।" "নহয় ৰবা, মোৰ আৰু এটি মনত পৰিছে—এই খুৰশাল, খুৰশালীবোৰৰ কথা। এই দুৰ্ভগীয়া প্ৰাণীবোৰে, ভাবে যে ভিনিহিয়েকবোৰে ইহঁতকে মৰম কৰে। হায়ৰে আত্ম প্ৰবঞ্চনা! বায়েক মৰিলে বা বায়েকৰ লগত মিল নথকা কেজন ভিনিহিয়েকে ইহঁতক মৰম কৰে মোক কব পাৰা নে?" "তোক নো এইবোৰ বুজ কোনে দিলে, মূৰ্খ?" "জগতে দিলে বাইদেউ, জগতে। সংক্ষেপতে তোমাক কওঁ দিয়া—চলিহা, শ্ৰীযুত ৰাম কমল চলিহাৰ তুমি চকুত পৰিছা।" অকস্মাৎ যেন সি মোৰ মনৰ ভাবটো অনুমান কৰিহে এইবোৰ কথা কলে এনে যেন লাগিল। মোৰ কাণ, মুখ ৰঙা পৰি উঠিল, তথাপি অন্তৰৰ উদ্বেগ লুকাই ৰাখি ধীৰ ভাবে সুধিলো—"তোক নো কোনে কলে?" "মই নিজে জানোঁ।" "কেনেকৈ?" "যোৱা, তোমাৰ নো নিজৰ কথা সুধিবলৈ লাজও নালাগে নে?" মই বৰং অলপ নিৰ্লজ্জ ভাবেই কলো—"লোকে ভাল পোৱা, admire কৰা কথাষাৰ শুনিবলৈ সকলোৰে ভাল লাগে।" "বাৰু তেনেহলে শুনা। সিদিনা আমাক ক্লাচত ইংৰাজী কবিতা এটা তেখেতে শিকাই আছিল,—তেখেত যে এছিষ্টাণ্ট হেড মাষ্টাৰ আৰু তেখেতে যে আমাক ইংৰাজী পঢ়ুৱায় এই কথা তুমি আগৰ পৰাই জানা। কবিতা শিকাওঁতে শিকাওঁতে তেখেতে কিবা Etherial Music নে স্বৰ্গীয় সঙ্গীতত পৰিলহি, আৰু দেখিলো তেখেতৰ চকু আহি মোৰ মুখত লম্বিলহি, he spoke like a whale, কি যে কলে তেওঁ হে জানে, বহুত কলে,—শেষত যেতিয়া দেখিলে যে মই বা শ্ৰেণীৰ কোনেও ভালকৈ ধৰিব পৰা নাই,—কি ধৰিবা হে, যিখনহে ফিলজফি,—তৰাৰ সঙ্গীত, বায়ুৰ সঙ্গীত, পৰ্ব্বত পাহাৰৰ হেনো কিবা এটা আবেশ, নৈৰ হেনো ঢৌত কিবা তাল থাকে;—all these nonsense" মই উশাহ বন্ধ কৰিয়ে ইমান পৰ শুনিছিলোঁ হঠাৎ বৈ যোৱাত বিভৱক কলোঁ—"তাৰ পিছত" "তাৰ পিছত কলে, তোমাৰ কথা" "যা ঠাট্টা কৰ।" "ধেমালি নহয় সচাঁ। তুমি হেনো সিদিনা গধূলি কলেজত এনে এটা কালপাত্ৰৰ সমাবেশ লৈ গীতৰ সুৰৰ হেন্দোলনি তুলিছিলা যে আজিলৈকে তেওঁৰ অন্তৰৰ পৰা মাৰ যোৱা নাই।" "তোক জানো সেই বুলি কলে।" "প্ৰায় সেয়ে অকল সেয়ে নহয় মোকো আজিকালি বৰ মৰম কৰে, অৱশ্যে তোমাৰ খাতিৰত।" "চুপতি কৰিবলৈ শিকিছ।" সি বোলা, এই বুলি কৈয়ে সি নীৰৱ হল। দুজনে ফুৰি ফুৰি গৈ লুইতৰ দাঁতিতে বহিলো। নীৰৱ নিতাল।

(২)

কিছুদিনৰ ব্যৱধান। চলিহাৰ লগত মোৰ চিনা জনা হল, অকল চিনা-জনাই নহয় ঘনিষ্ঠতাও হল। বাহিৰত নিৰ্জ্জু ভিতৰত সিংহ প্ৰকৃতি—হিংস্ৰ নহয়

*এটালৈ বুলি কৰা মৰম আন এটাৰ গাত পৰা—লিঃ

বলবান। থকা মেলাৰ ধৰণ অতি আড়ম্বৰহীন কিন্তু, সকলো বস্তুৱে টাপ টিপ, ঠাক ঠিক, তিৰিণ ডাল কুটা এগছিৰো ইফাল সিফাল হেৰ ফেৰ নাই। বিভৱেই অৱশ্যে মোক তেখেতৰ তালৈ লৈ গৈছিল, পিছলৈ সি কেতিয়াবা যায়ও নাযায় ও অকলে যাবলৈকো মোৰ অকণো দ্বিধা বা সঙ্কোচ বোধ নহৈছিল। ছাত্ৰ ছাত্ৰী মহলত কথাষাৰ প্ৰচাৰ হবলৈ বেছি দিন নালাগিল, বহুতে অৱশ্যে উপলুঙা কৰিছিল কিন্তু মোৰ লাজ পাব লগীয়া একো নাছিল।

মানুহৰ মুখে শুনিছিলো যে হিয়াৰ তলিত তেওঁৰ কেৱাটাও প্ৰেমৰ পুতলিৰ সমাধিৰ চিন আছে, অন্তৰঙ্গী বন্ধু সকলৰ আগত তেওঁ যিমান বোৰ কথা বতৰা কৈছিল সেই আটাইবোৰেই হেনো বিৰহৰ উচ্ছাস আৰু এনে কোনো ছোৱালী নাছিল হেনো যি তেওঁৰ কাষ চাপিলেই তেওঁৰ হুতাশন প্ৰেমৰ আগৰ পৰা আত্ম-বলি নিদিয়াকৈ পলাব পাৰিছিল। মই নিজৰ অভিজ্ঞতাৰ পৰা কবলৈ হলে প্ৰায় সেই সকলোবোৰেই মিছা যেন পাইছিলো। তেওঁৰ অন্তৰৰ এটা ভাবৰ দ্বাৰা মই বিশেষ ভাৱে আকৃষ্ট হৈ পৰিছিলোঁ, Tolerance, সহনশীলতা তেওঁ যেন সাক্ষাত সৰ্ব্বংসহা বসুমতী। দুই চাৰি দিনতে বিভৱ আৰু মই তেওঁৰ ঘৰৰ মানুহৰ নিচিনা নিতান্ত আপোন হৈ উঠিলো। খোৱা লোৱা থকা মিলা টকা কড়ি সকলোৰে কথা আমাক অতি নিষ্কপট ভাবে কয় বৰং সকলো কথাই তেওঁ মনত যেনে ভাবে খেলে তেনে ভাবে কয় কিন্তু আঘাত দিয়া কথা কবলৈ তেওঁ পৰাঙ্মুখ। মোৰ প্ৰকৃতি অৱশ্যে সম্পূৰ্ণ অইন ৰকম। খং উঠিলে উঠে, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, কালৈকো ভ্ৰূক্ষেপ কৰিবলৈকো মোৰ আহৰি নাথাকে, মানুহক ভাল পোৱা বেয়া পোৱা বিষয়তো মোৰ সেই একেটা কথাই খাটে। যাক মই এবাৰ instinctively বেয়া পাইছো তাক ভাল পোৱাৰ কথাই নাই বেয়া পোৱা পাহৰিবলৈকো অহো পুৰুষাৰ্থ কৰিব লগীয়া হয়। কেতিয়াবা চলিহাই মোক এই বোৰ বিষয়ে সৰু সুৰা বক্তৃতা দিয়ে মই ভ্ৰূক্ষেপকে নকৰোঁ। বিভৱক মোৰ ভাল লাগে, মোৰ খং নমৰা যেন দেখিলে তাক কাষত বহুৱাই মৰম কৰোঁ। খং লাহে লাহে মাৰ যায়।

বিভৱে এদিন কলে "বাইদেউ 'আই-এ'ৰ ৰিজাল্ট ওলাবৰ আৰু সৰহ দিন নাই। তোমাক এটা কথা সোধো বুলি ভাবিছো।" "সোধ।" "বহুতে দেখো কয় যে কলিকতাত পঢ়া শুনা ভাল আৰু তাত থাকিলে, ভবিষ্যতে 'কমপিটেটীভ' পৰীক্ষা আদি দিবলৈ বহুত সুবিধা পোৱা যায়।" মই কলো "মোত নুসুধিবি।" "কিয় তোমাক নুসুধি কাক সুধিম?" "চা, মই বৰ স্বাৰ্থপৰ, তোৰ কলিকতালৈ গলে ভাল হব পাৰে কিন্তু মই মোৰ ফালৰ পৰা বৰ অসুবিধা পাম।" "বাৰু ধৰা বাইদেউ, তোমাৰ বিয়া হল, তেতিয়া মই মাহেকে পষেকেহে তোমাক লগ পাম। এনেও হব পাৰে যে তুমি কোনোবা দুৰণিবটীয়া ঠাই এখনত পৰিবা অথবা ওৰণিৰ ভৰত তোমাৰ মূৰ ইমান দোঁ খাই যাব পাৰে যে আমাক নিচিনা হৈ যাব পাৰা, অথবা মোৰ নিচিনা লৰা এটাৰ লগত কথা বতৰা হোৱা তোমাৰ ভবিষ্যৎ পদ মৰ্য্যাদাৰ লগত খাপ নোখোৱাও হব পাৰে" "তোক ইমান বোৰ দীঘল বক্তৃতা দিবলৈ কোনে শিকালে বিভৱ?" "তুমি" "কেনেকৈ?" তুমি যেতিয়া কথা কোৱা তোমাৰ প্ৰত্যেকটো কথা, প্ৰত্যেক ইঙ্গিত অঙ্গী ভঙ্গী মোৰ মনত এনেভাৱে খাপ খাই যায় যে ইচ্ছা কৰিলে মই হুবহু তোমাক অভিনয় কৰি দেখুৱাব পাৰোঁ।" মোৰ হুমুনিয়াহ আহিল। সিয়ে আকৌ কলে—"কোৱাচোন বাইদেউ, ভায়েক ভনীয়েক ভিন ঘৰতো জন্মে নহয়নে?" মই তাৰ কথাৰ ভাবটো বুজিলো, ইচ্ছা হল বুকত সাবটি লওঁ—কিন্তু সংস্কাৰে বাধা দিলে।

মই নিজকে সংযত কৰি সুধিলো—"কচোন, 'মূৰ্খ' তই মোৰ বিয়াৰ কথা ক'ত শুনিলি।" "আকাশে, পাতালে, বায়ুৰ বোকোচাত।" "এনেবোৰ কবিত্ব ক'ত শিকিলি?" "বয়সৰ ওচৰত।" "তই বয়সতকৈও যেন বেছি পূৰঠ।" "তুমি বয়সতকৈও বেছি অপৈণত।"

"কেনে ?" "মানুহৰ মুখত শুনোঁ যে ছোৱালীবিলাকে কম বয়সৰ পৰা ভালেখিনি কথা জানে, বাৰ বছৰ নৌহওঁতেই গৃহস্থালি এখন চলায়, পোন্ধৰ বছৰ হওঁতে নৌহওঁতেই পুত্ৰমুখৰ মধুৰ আহ্বান উপভোগ কৰে আৰু বোধ হয় তুমি আজি কুৰি বছৰৰ দুৱাৰ দলিত বহি নৈৰ অগণন তৰঙ্গমালা গণি সুখ পাইছা ?" "তেনেহলে তই বোধ কৰো কব খোজ যে মোৰ বিয়াৰ বয়স গৈছে ?" সি মোৰ মুখলৈ চালে, একো নকলে।

বিভৱ আৰু মই এদিন আমাৰ পদূলিৰ পৰা ওলাওঁতেই শ্ৰীযুত চলিহাক লগ পালো, বিভৱে অভিবাদন কৰিলে, ময়ো তেনে কিবা এটা কৰিব পৰা হলে ভাল পালো হেঁতেন কিন্তু আমাৰ তেনে প্ৰথা একো নাই কাজেই অৰ্থ হীন ভাৱে অলপ হাঁহিব লগীয়া হ'ল। তেনেকৈয়ে হাঁহি অভিবাদন জনালো। চলিহাই অবিচলিত ভাৱে কলে—"তোমালোকক লগ ধৰিবই আহিছো।" আমি দুয়ো কোনোৱে একো নকলো, অলপমান গৈয়ে নৈৰ গৰাত নামিলো। আগতে কঁহুৱাৰ ফুলৰ নিচিনা লুইতৰ বহল বালি। অলপ দূৰ গৈয়ে বিভৱে কি জানোঁ কিবা এটা কাৰণ দেখুৱাই আমাৰ পৰা আঁতৰি গ'ল, চলিহা আৰু মই দুয়ো তৰা বচা আকাশৰ তলত আপোন মনে নানা কথা কলো। কোনে কৈছিল চলিহা কামুক. কোনে কৈছিল তেওঁ কপট। আজি মই সকলোকে আহ্বান কৰি তেওঁৰ অন্তৰৰ চিত্ৰপট দেখুৱাব পৰা হলে তেওঁলোকে বুজিলেহেঁতেন মানৱ অন্তৰৰ কি কোমল কাৰুণ্যৰে তেওঁ গঠিত। তেওঁৰ দোষ 'তেওঁ অসংসাৰী, তেওঁ বনিয়াৰ লগত বেপাৰ কৰিব নাজানে, কৃত্ৰিম চকুলো মচি হুমুনিয়াহ পেলাব নোৱাৰে, ধনীৰ মুখলৈ চাই অনৰ্গল প্ৰশংসা কৰিব নোৱাৰে, আত্মসুখত ভোল গৈ আত্ম সম্মান দলিয়াই পেলাব নোৱাৰে। তেওঁ আজি মই হাতেৰে ঢুকি পোৱাৰ বহুত দূৰত বুলিয়ে বোধ কৰো এনে ভাৱে মোৰ মত প্ৰকাশ কৰিব পাৰিছো।

গধূলিৰ সেই নিস্তব্ধতা, নিমাওমাও আন্ধাৰ,—আমাৰ পৰা ভালেখিনি দূৰত চহৰৰ আলিৰ দাঁতিত পাতল পাতলকৈ দুই এটা আয়নাৰ আঁৰৰ চাকি, নৈৰ মাজত ভটীয়া নাওৰ বুকৰ টিমিক টামাক দুই এগছি প্ৰদীপ আৰু মূৰৰ ওপৰত তৰা বচা অনন্ত আকাশ, মাজে মাজে দুএছাতি চেঁচা পৰা ঠেৰেঙ্গা বতাহ—সকলো মোৰ আজিও মনত পৰে। ভাবিলেই মনত পৰে যে ভগৱানে যেন আমাৰ বাবে বিদায়ৰ ক্ষণ এটা আগৰ পৰাই ৰচি থৈছিল। ইমান দিনে চলিহাই মোৰ ইমান কাষ চপা নাছিল। আজি যে কেতিয়া মোৰ হাত তেওঁৰ মুঠিত লুকাইছিল, মই কব পৰা নাছিলোঁ, কেতিয়া যে মই তেওঁৰ ইমান কাষ চাপিছিলো তাকো কব পৰা নাছিলো। তেওঁ একো আড়ম্বৰ নোহোৱাকৈ নিজৰ জীৱনৰ অতীত ৰহস্যৰ ক'লা ডাৱৰ এচপৰা মোৰ আগত ডাঙ্গি ধৰিছিল। তেওঁ কুল আৰু বংশ গৌৰবত হীন নাছিল, কিন্তু কি মায়াৰ মৰীচিকাত পৰি তেওঁ এজনা ৰূপহী গাভৰুৰ লগ ললে। তেওঁৰ পৰিচয় দিবলৈ মোক দঢ়াই দঢ়াই নিষেধ কৰিছে। তেওঁ মন্ত্ৰমুগ্ধৰ দৰেই এই তৰুণীৰ পাছ ললে। যেতিয়া তেওঁ তেওঁৰ লক্ষ্যৰ পৰা, আদৰ্শৰপৰা ভালে খিনি আঁতৰি গৈছে, যেতিয়া প্ৰতিদিন লোভৰ পথত অনন্ত বাসনা ৰাশি মূৰ্ত্তিমন্ত হৈ থিয় দিলে হি, চলিহাৰ ভৰি কঁপিল—তেওঁ থিৰেৰে থাকিব নোৱাৰি সেই গাভৰু জনাক সুধিলে—"ইয়ালৈতো আমাৰ অহাৰ কথা নাছিল," গাভৰুৱে উত্তৰ দিলে—"তুমি মূৰ্খ, জীৱন সপোন নহয়—ব্যৱসায়!—হাতেৰে ধৰিব পৰা, টকাৰে কিনিব পৰা সুখ স্বচ্ছন্দতাৰ ৰাজ-মেলা।" এওঁ অনভিজ্ঞ ভাৱেই কলে—"তুমি দেখো মোৰ সপোনকুঁৱৰীহে আছিলা, আমাৰ মাজততো লাভালাভৰ একো কথা নাছিল।" তেওঁ চহৰীয়া লীলায়িত ভঙ্গিত উত্তৰ দিলে—" you are a fool!" তাৰ পিছৰ পৰা তেওঁলোকৰ দুজনৰ বাট দুই পিনে। ছোৱালীজনীয়ে ভাল ঘৰত বিয়া সোমাল আৰু চলিহাই ওৰে জীৱন সেই ভুল বা সেই ৰূপৰ মোহকে পাহৰিবলৈ কিতাপ পঢ়াত, ছবি অ কাত মন পুতি দিলে, তথাপি জীৱনৰ প্ৰত্যেক আহৰি মুহূৰ্ত্ততে তেওঁৰ এটা হুমুনিয়াহ ওলায়—কি জানি মই স্পষ্টৰূপে অন্তৰৰ ভাৱ বুজাব

নোৱাৰিলো সেয়ে তেওঁ মোৰ হিয়াৰ আসন গৰিহনা দি এৰি গ'ল। শেষত কলে "নীৰদা, মই আজি শ্ৰীৰাম পুৰলৈ যাম তাতো এখনি বহল নৈ আছে, কিজানি বালিও আছে, অৱশ্যে তুমি নাথাকিবা।" মই সুধিলো "কিয় যায় ?" তেখেতে কলে—"তাত এটা পাটকলৰ কুলিৰ লৰা পঢ়ুৱাবৰ বাবে নতুনকৈ স্কুল পাতিছে, তাতে গৈ শিক্ষকতা কৰিম।" মই আচৰিত হৈ সুধিলো—"ইমান দিনে আমাক কোৱা নাই ?" "কলে যাব নোৱাৰিলো হেঁতেন।" "কিয় ?" "তোমাৰ নজনাই ভাল।" "তেনেহলে আজি কিয় কলে, নোকোৱাকৈ যোৱা হলেই ভাল আছিল।" "খং নকৰিবা, মই তোমাৰ খঙলৈ ভয় কৰোঁ।" মই একো নামাতিলো তেখেতেই আৰম্ভ কৰিলে—"মই তোমালোকৰ মনৰ ভাব কোনোদিন ধৰিব নোৱাৰোঁ, কি জানি কি কলে কি বুজা, এয়ে ভয়। "আমি নিৰ্ব্বোধ ?" "মোক ক্ষমা কৰিবা, যাবৰ হ'ল ; তোমালোক নিৰ্ব্বোধ নোহোৱা, মই অকৰ্ম্মণ্য।" মোৰ এটা হুমুনিয়াহ আহিল। দূৰণিত কোনোবাই "বাই দেউ" বোলা যেন পালো আৰু যেন বিভৱৰ মাত এনেও ধাৰণা হ'ল। মই বিভৱৰ এই মাতাযাৰ ভাল পাওঁ বুলি কিজানি কল্পনাতে শুনিলো। নহয়, আৰু সেই একে মাত। দুয়োজনে অলপ পৰ কাণ দিলো, বিভৱৰ মাত হয়। চলিহাৰ হাতৰ পৰা ইয়াৰ ভিতৰতে মোৰ হাত অতৰ্কিতে পিছলি পৰিছে। মই কলো "বিভৱ নহয়নে" ?" তেখেতে কলে "তেনে যেন লাগেতো।" হয় বিভৱ, মই জানিলো। ময়ো মাত লগালো—"বিভৱ !" তাৰ পিছত মাতবোল নাই। অলপ পিছতে বিভৱে আহি মোৰ কাষ পালে আৰু তাৰ মৰম সনা মাতেৰে কলে—"তুমি যোৱা নাই ?" মই তাক কাষ চপাই আনি তাৰ কান্ধত হাত খন থলো। চলিহাই কলে—"বিভৱ, তোমাৰ নামে মোৰ কিতাপ-পত্ৰবোৰ এৰি আহিছো—কালিলৈ গাড়ীৰে চকিদাৰে তোমালৈ পঠাব, তুমি সেইবোৰৰ সদ্ব্যৱহাৰ কৰিব পাৰিবা।" ইতিমধ্যে অলপ দূৰত ভটীয়া জাহাজৰ হুইছেল পৰিল, তেখেতে যোৱাৰ ভঙ্গি কৰিলে। মই কলো—"বিভৱক কিতাপ দি গ'ল, মোক কি দিলে ?" চলিহাই হাঁহি কলে—"তুমিও যে কেতিয়াবা কিবা বিচাৰিব পাৰা, মোৰ ধাৰণাই নাছিল। দূৰণি বটীয়া দুৱৰা কবিৰ এফাঁকি কবিতা মনত পৰে—

"নিয়া ফুল পাহি মোৰ বুকু শুদা কৰি।
মালতীৰ মালা নিয়া খোপা সোলোকাই।
ধুনীয়া জোনাক ৰাতি যোৱা আগবাঢ়ি
তৰাৰ পোহৰে দিব বাট উজলাই।"

চলিহা গ'ল আমি দুয়ো হাতত ধৰাধৰিকৈ ঘৰলৈ আহিলোঁ। বাটতে বিভৱক সুধিলো—"তই, মোক কিয় বিঙিয়াইছিলি ? সি মোৰ পিনে চাই হাঁহি কলে "সঁচা কথা ক'ম ?" মই কলো—"কচোন ক, এদিনলৈ সঁচা কব পাৰি।" সি অলপ গহীনহৈ কলে—"তোমাক বাইদেউ বুলি মাতোঁতে মাতোঁতে শব্দটোলৈকে কিবা এটা ভালপোৱাৰ ভাব সোমাইছে। নৈৰ নিজান বালিত কেবাৰ মান সৰু সৰুকৈ মতাৰ পাছত কিবা এটা ধাউতি হল—চাওঁচোন আকাশে বতাহে নৈয়ে পৰ্ব্বতে এই শব্দটো প্ৰতিধ্বনিত হলে কেনে শুনি, এই বুলিয়ে বিঙিয়াইছিলো ; তুমি তাত থকা কথা মই নাজানো। পিছত তোমাৰ মাত শুনি লাজ লাগিল।"

মোৰ তাক আকোঁৱালি ধৰিবৰ বৰ মন গ'ল, * * * ধৰিলো, সংস্কাৰে বাধা দিব নোৱাৰিলে।

———

প্ৰকৃতি

কবিতা—

—শ্ৰীযুত দৈৱচন্দ্ৰ তালুকদাৰ

আজি এৰিলো বীণা
শুনি তোমাৰ
অতুল বৈভৱ সুৰ ;
ছন্দ আজি মোৰ
সুফুটে বীণত
শুনি প্ৰকৃতিৰ
বিশ্ব ভোলা বোল।
ধৰিছা প্ৰকৃতি
শতেক লয়েৰে
ললিত মধুৰ তান ;
পূজিছা ভাৰতী
প্ৰকৃতি সাদৰী
কণ্ঠত লৈ
বিশ্ব ভোলা গান।
সি সুৰত হায়
উটি ভাঁহি যায়
বেণু পৰমাণু মোৰ ;
প্ৰতি ছন্দে মোৰ
উঠে ফুটি ঘনে
হিম গিৰী সম ভুল !
ক্ষুদ্ৰতা, আতিকে তুচ্ছতা
বাতুলতা মাথো মোৰ,
মোৰ ছন্দৰে
খোজোহে পাব
সৌন্দৰ্য্য বিভূতি লোৰ !
সৌন্দৰ্য্যৰ ৰাণী !
পূজা বীণাপাণি
শতেক ঝঙ্কাৰ তুলি ;
ক্ষুদ্ৰ কবি মই
আপোন পাহৰা হৈ
চাই 'থাকো' নিতে
হৈ মাথো চৰণৰ ধূলি !

নচুৱা নচুৱা দেৱী
তব মধুৰ বীণা
ললিত ভঙ্গিমাৰে ;
মোৰ উচ্চ কণ্ঠ
নীৰৱ কৰি হে
অনাদি কালৰ তব
মোহন ছন্দেৰে !
মোৰ ক্ষুদ্ৰ ছন্দ
তব প্ৰশান্ত ধ্বনিত ;
লয় হৈ নিফুট সুৰত,
ধোৱা হৈ উৰি পৰে
সুমধুৰ মুখত তব
—সৃষ্টি মলিনতাৰ—
বুজিছোঁ বুজিছোঁ দেৱী
সাধনা তব যুগযুগান্তৰৰ ;
তব প্ৰতি ছন্দত
উঠিছে ধ্বনি
অনাদি কালৰ
মহা সাধনাৰ !
চঞ্চল বাউল
অন্ধ পথিক মই ;
নুবুজি লৰিছোঁ মাথো
আশা মৰীচিকা লৈ ;
হে প্ৰকৃতি
ক্ষুদ্ৰ জীৱনত মোৰ
কোন সতে ;
পাৰো পূজিব
বিশ্ববাণী বীণা-পাণি
মহা সাধনাত ব্ৰতী হৈ ?

বিশ্ব-প্ৰৱাহ

গুৱাহাটিত কামৰূপ অলিম্পিক খেল-ধেমালিৰ প্ৰতিযোগিতা



এণ্ডিয়ৰেন্স ছাইক্লিং প্ৰতিযোগিতা—গুৱাহাটী ১৯৩৫
৩য় প্ৰতিযোগী দাদুক শ্ৰীযুত মহেন্দ্ৰ ফুকণে আগে আগে ছাইকেলৰ ওপৰত গৈ উৰবণি দিছে।
ফটো—এছ, ঘোষাল এণ্ড কোং



৬১ ঘণ্টা ২০ মিনিট ছাইকেল চলাই ১ম হোৱা প্ৰতিযোগী মহিবুদ্দিন (বয়স ১৬ বছৰ) ককায়েকে পাছ ফালৰ চলন্ত ছাইকেল মেৰামত কৰিছে। ফটো—এছ, ঘোষাল এণ্ড কোং

যোৱা ১৭ ফাগুনৰ পৰা ২০ফাগুনলৈকে গুৱাহাটিত অতি সমাৰোহেৰে নানা ৰকম শাৰীৰিৰ শক্তি সম্বন্ধীয় খেল ধেমালিৰ প্ৰতিযোগিতা হৈ গল। তাত এণ্ডিওৰেন্স চাইক্লিং, মাৰাথন দৌৰ, পৰ্ব্বত বগোৱা, একাঁ বেকাঁকৈ মটৰ চলোৱা আদি নানা প্ৰকাৰৰ প্ৰতিযোগিতা হৈছিল। এই কামৰূপ অলিম্পিক এছোছিয়েশ্যনৰ সভাপতি আছিল শ্ৰীযুত গোপীনাথ বৰদলৈ এম-এ, বি-এল, যুটীয়া সম্পাদক শ্ৰীযুত



গুৱাহাটীৰ অলিম্পিক প্ৰতিযোগিতাত মাৰাথন দৌৰত (গুৱাহাটীৰ পৰা পলাশবাৰীলৈ অহা যোৱা—প্ৰায় ২৭ মাইল) প্ৰথম হোৱা—শ্ৰীমান হৰেন্দ্ৰনাথ মজুমদাৰ।

পদ্ম ধৰ চলিহা এম-এ বি-এল আৰু ৰাজকুমাৰ শ্ৰীযুত সুৰেশ্বৰ গোহাঞি এম-এছ-ছি আছিল। গেম ছৰকমিটিৰ সম্পাদক আছিল শ্ৰীযুত ৰমেশচন্দ্ৰ সৰস্বতী। এওঁলোকৰ

উৎসাহ আর উদ্যোগের এই প্রতিযোগিতা অতি সুচারু রূপে সম্পাদন হইয়াছিল। উদ্বোধন সভা আর বক্তৃতা বিতরণী সভার সভাপতি শ্রীযুক্ত তরুণ রায় মুকুল ডাক্তারীয়াই অতি মনস্পর্শী বক্তৃতা দিয়া সকলকে সন্তোষ দিয়াছিলেন। মিছেস ডিসেন্সো কাপ, মেডেল আদি দান করিয়া সম্পাদনে সহায় করিয়াছিল।



ওরাওঁটী অলিম্পিকের কুস্তী প্রতিযোগী কেশরীকীমান

মিঃ ঘোষ—(সৌজন্যের পদক)

ফেদ্রেক চন্দ্র দাস (প্রতিযোগিতা চ্যাম্পিয়ন—৬১ সে: ১০ মিঃ)

প্রবোধ বর্ম্মন (পদক ও ৩—২য়)

নরেন্দ্র নাগ (ছাত্রাবস্থায় ১০০ গজ)

ভাবত তুলা (১০০ গজ দৌড়, ১০ ২ ফেঃ ; ওজনাপ ২য়)

বামানন্দ চৌধুরী (ছাত্রাবস্থায়—২য়)

তুপতি বর্ম্মণ (পদক ও ৩—তুড়ি ৩ ইঃ ; ওজনাপ ২য়)

বাঁশ পদক (সৌজন্যের পদক)—নরেন্দ্র ডেকা (মাবাথন দৌড়—২৭ মাঃ, ২য়

নরেন্দ্র ডেকা " " ১ম, ৩ ঘঃ ৫০ মিঃ)



ডোরা ১মাঠে তারিখে ওরাওঁটীত ডোরা অলিম্পিক খেলা প্রতিযোগিতার উদ্বোধন সভা

বাঁ দিকে পদক (সৌজন্যের পদক)—মিঃ ঘোষ, মিঃ চন্দ্রনাথ বর্ম্মণ, মিঃ কস্ত, শ্রীযুক্ত বমেশ চন্দ্র দাস, মিঃ ডি, ডি, দাস আই-জি-এম, মিঃ অবিনাশ বাগচী, অধ্যাপক প্রনাথ সেন, মিঃ যোগীন্দ্রনাথ দাস, অধ্যাপক চন্দ্রমোহন সেন, মিঃ বমেশচন্দ্র, মিঃ বেনেডক্ট, শ্রীযুক্ত যোগেশ বর্ম্মণ।

ডান দিকে পদক (সৌজন্যের পদক)—শ্রীযুক্ত বর্ম্মণ চৌধুরী, শ্রীযুক্ত প্রকাশ মুকুল, শ্রীযুক্ত উপেন বর্ম্মণ, মিছেস কমিলা, মিঃ লাল মিং, কেপ্টেন কমিলা, শ্রীযুক্তবর চলিহা (ফুটবল সম্পাদক), মিঃ ডেকস, বাসন্তমার বর্ম্মণ প্রোহিত (ফুটবল সম্পাদক), শ্রীযুক্ত প্রবোধচন্দ্র লাহিড়ী, শ্রীযুক্ত ধ্যানেশ বর্ম্মণ, মিঃ হিমাউডিন, শ্রীযুক্ত মৌকীকাশ চক্রবর্ত্তী, শ্রীযুক্ত বেরকাশ বর্ম্মণ, অধ্যাপক বাধাকাশ দাস।

বাঁ দিকে পদক—ওরাওঁটীর ছাত্রদের প্রতিযোগিতায় ডোরা দিবসাগরের, মাননীয়—শ্রীযুক্ত বমেশচন্দ্র সবকার (সম্পাদক, হেরেম ডবকমিটি)

ফটোগ্রাফার—শ্রীযুক্ত পতিত্রত দাস ওরাওঁটী



গুৱাহাটীত যোৱা অলিম্পিক খেল প্ৰতিযোগিতাত
শ্ৰীমান নগেন্দ্ৰনাথ নাথ

এই ১৮ বছৰীয়া অসমীয়া ডেকাটি ৱেট লিফ্‌টিং খেলত ২ মোণ ১১ সেৰ গধুৰ বস্তু ৰাতি ১ম হৈ এটি কাপ আৰু সৰ্ব্বোৎকৃষ্ট মাংসপেশী প্ৰদৰ্শনৰ বাবে বিশ্বজিত কাপ লাভ কৰে।



এণ্ডিয়ৰেন্স ছাইক্লিং প্ৰতিযোগিতা—গুৱাহাটী ১৯৩৫

আগত—ৰাজু (৩য়)
পাছত—দেবেন্‌দাস (২য়—৩১ ঘণ্টা ৬ মিনিট)
ফটো—শ্ৰীযুত জীবেশ্বৰ বৰুৱা

জাম্বৰীত অষ্ট্ৰেলিয়াৰ গভৰ্ণৰ জেনাৰেল

অষ্ট্ৰেলিয়াৰ মেল বোৰ্ণত বহা পৃথিবীৰ স্কাউট



অষ্ট্ৰেলিয়াৰ গভৰ্ণৰ জেনেৰেলক লৈ স্কাউট সকল বিশেষ উৎসাহিত হোৱা দৃশ্য।

সকলৰ জাম্বৰী অতি সমাৰোহেৰে হৈ গল। এই অনুষ্ঠানৰ কৃতকাৰ্য্যতাৰ বাবে তাৰ গভৰ্ণৰ জেনাৰেলে যথা সাধ্য চেষ্টা আৰু সহায় কৰিছিল। স্কাউট সকলে তেখেতক তেওঁলোকৰ মাজত পাই বিশেষ উৎসাহিত হৈছিল।

ব্যায়াম চৰ্চ্চাত শ্ৰীযুত শ্ৰীকান্ত চহৰীয়া

মঙ্গলদৈৰ উদীয়মান যুৱক বৰ্ত্তমান নৰ্ম্মাল স্কুলৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ শ্ৰীমান শ্ৰীকান্ত চহৰীয়াই অতি অল্প সময়ৰ ভিতৰতে ব্যায়াম চৰ্চ্চাৰে শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধনত বিশেষভাৱে ব্যুৎপত্তি লাভ কৰিছে। ১৯৩৩ চনৰ পৰা ব্যায়াম চৰ্চ্চা কৰি আজি দুবছৰৰ ভিতৰতে ভালেমান লাগতিয়াল খেলা দেখুৱাই দৰ্শক সকলক পৰিতোষিত কৰিছে আৰু লগে লগে নৰ্ম্মাল স্কুলৰ সুখ্যাতি বঢ়াইছে। সময় আৰু সুবিধা উলিয়াই ছাত্ৰ জীৱনতে শৰীৰৰ কেনেকৈ পুষ্টি সাধন কৰিব পাৰি তাৰ জলন্ত উদাহৰণ এওঁ ছাত্ৰ সকলৰ মাজত ডাঙ্গি ধৰিছে। ভগা চিচাৰ ওপৰত শুই বুকৰ ওপৰত ৭।৮ মোন ৰখা,

ভগাচিচাৰ ওপৰত সুদা ভৰিৰে নচা, দাঁতেৰে ডিঙ্গিৰে আৰু বুকুৰে টান গোটা লোহা বেঁকা কৰা হাতৰ মাংস পেশীৰে (muscle) আৰু দুটি আঙ্গুলিৰে কণী থিয় ভঁজত ভঙ্গা, ৰচিৰ টান বান্ধোনৰ পৰা মুকলি হব পৰা, মটৰ ৰখা, আৰু ছুৰি খেল আদিৰ বাহিৰেও প্ৰাণায়াম আৰু নানা ব্যায়াম খেলত পাৰ্গতালি দেখুৱাই বিশেষ সুখ্যাতি লাভ কৰিছে।



ব্যায়াম চৰ্চ্চাত শ্ৰীযুত শ্ৰীকান্ত চহৰীয়া

১৯৩৪ চনৰ জয়মতী উৎসৱ উপলক্ষে জয় সাগৰৰ পাৰত বহা বিৰাত জন সমূহৰ মাজত আৰু মঙ্গলদৈত বহা যোৱা অসম শিক্ষক সন্মিলনত ব্যায়াম দেখুৱাই বিশেষভাৱে প্ৰশংসা ভাজন হৈছিল। তাৰ বাহিৰেও স্কাউট খেলা, অসম ভেলি টুৰ্ণামেণ্ট আৰু মাজে সময়ে সভাসমিতিত নানা খেলা দেখুৱাই সুকীৰ্ত্তি লাভ কৰিছে। ৪।১২।৩৪ তাৰিখে অসমৰ শিক্ষা বিভাগৰ ওৰিয়াল মহামান্য জি, এ, স্কুল চাহাব বাহাদুৰে নৰ্ম্মাল স্কুলৰ মুকলি প্ৰান্তত তেওঁৰ ব্যায়াম কৌশল দেখি বিশেষভাৱে পৰিতৃপ্ত হৈছিল। বৰ্ত্তমান এওঁৰ বয়স ১৯ বছৰ মাথোন।

যুগোশ্লাভিয়াৰ লৰা-ৰজা

ফ্ৰান্সৰ মাৰ্চ্চাইল নগৰত যুগোশ্লাভিয়াৰ ৰজা আলেকজেণ্ডাৰ গুপ্তঘাতকৰ হাতত নিহত হোৱাৰ পিছত



যুগোশ্লাভিয়াৰ ৰজা পিটাৰে ভায়েকহঁতৰ লগত ৰাজ প্ৰাসাদত উমলিছে। ৰজা পিটাৰৰ বয়স মুঠে ১১ বছৰ।



ৰজা পিটাৰৰ দুজন সৰু ভায়েক—প্ৰিন্স এণ্ড্ৰে (বাওঁফালে, বয়স ৫ বছৰ) আৰু প্ৰিন্স টমিশ্লাভ (সোফালে—বয়স ৭ বছৰ) দুয়ো এখন মডেল ৰেলগাড়ী লৈ খেলিছে।

তেওঁৰ অতি অলপ বয়সীয়া লৰা পিটাৰক ৰজা পতা হৈছে। তেওঁ এটি লণ্ডনৰ স্কুলৰ ছাত্ৰ। ৰজা হলেও

ৰাজ কাৰ্য্যত তেওঁৰ বিশেষ সমন্ধ নাই প্ৰায় বালক-সুলভ খেল ধেমালিত হে ব্যস্ত থাকে।

বিলাতত নেপালৰ প্ৰধান মন্ত্ৰীৰ সম্বৰ্দ্ধনা

অলপতে নেপালৰ প্ৰধান মন্ত্ৰীয়ে নেপালৰ ৰজাৰ প্ৰতিনিধি হিচাবে বিলাতলৈ গৈছিল। তাত গৈ তেখেতে সকলোবেপৰা অতি আদৰ অভ্যৰ্থনা লাভ কৰিছিল আৰু



নেপালৰ ৰজাৰ প্ৰতিনিধি স্বৰূপে বৃটিশ সকলৰ পৰা সন্মান পাইছিল।

চিত্ৰাভিনেতা বিক্ৰমজিৎ কপুৰ

মিঃ বিক্ৰমজিৎ কপুৰ এজন চিত্ৰাভিনেতা। অলপ সময়ৰ ভিতৰতে নিউ থিয়েটাৰ্চ লিমিত অভিনয় কৰি তেওঁ কলাজ্ঞান সক অভিনয় নৈপুণ্যৰ বিশেষ পৰিচয় দিছে। নিউ থিয়েটাৰ্চৰ "হিন্দী কি লেবকী" আৰু 'কবৰান ঈ হায়াৎ' ছবি দেখোতা সকলে নিশ্চয় এই কথা উপলব্ধি কৰিব। তেওঁ পাঞ্জাবী মানুহ কিন্তু



মিঃ বি. কপুৰ

নিজক অসমীয়া বুলি পৰিচয় দিবলৈ ভাল পায় কাৰণ অসমৰ লগত তেওঁৰ ঘনিষ্ঠ সম্বন্ধ। তেওঁ আমাৰ মেচ পাড়াৰ জমীদাৰ সকলৰ পৰিয়ালত বিয়া কৰাইছে আৰু সেই অবধি নিজক অসমীয়া বুলিহেই ধৰি লৈছে। জয়মতী ছবি চাই মিঃ কপুৰে চিত্ৰ শিল্পৰ বিষয়-বস্তু হিচাবে জয়মতীয়ে আন দেশৰ উন্নত বিষয়-বস্তুৰ কথা সোঁৱাই দিয়ে বুলি মত প্ৰকাশ কৰিছে।

পুৰণি স্মৃতি

—শ্ৰীযুত কুলধৰ চলিহা

বহুদিনৰ আগৰ পৰাই আমাৰ দেশত কানি নামৰ ৰবিহ সমাজত চলি আহিছে। আমাৰ দেশৰ মানুহৰ বিশ্বাস যে চীন দেশৰ পৰা অসমলৈ কানি আহিছিল। এই কথাৰ কোনো যুক্তি নাই। প্ৰাচীন গ্ৰন্থাদিত ইয়াৰ উল্লেখ সমুলি পোৱা নাযায়। আৰু বৈষ্ণৱ গ্ৰন্থাবলীতো ইয়াৰ নাম কতো দেখিবলৈ নাই। দিমানদৰ জনা গৈছে মোগল বাদচাহবিলাকে যেতিয়া অসমৰ ফালে অলপ অলপ নজৰ দিবলৈ ধৰিলে আৰু পাৰিলে অসম দেশ জয় কৰি ৰাজ্যভুক্ত কৰিবলৈ তাৰ ছল চাবলৈ দূত পঠাই দিওঁতে



লিখকৰ পৰিয়ালৰ মাজত লীনবন্ধু এণ্ড্ৰুজ

ৰজাক ভেটাৰৰ অৰ্থে দূতৰ লগত আফিং পঠোৱা পোৱা যায়। তেতিয়া আফিং এইদৰে অলপ অচৰপ আহিবলৈ ধৰে আৰু ৰজাৰ ওচৰীয়া ডাঙৰীয়া সকলৰ ই এক আপুকীয়া বাৰ্ষী বুলি জানিব পৰা যায়। এইদৰে অহাৰ পিছত গৌৰীনাথ সিংহৰ দিনত আহোম ডাঙৰীয়া সকলে কেতিয়াবা কেতিয়াবা খেতি কৰিছিল বুলিও জনা যায়। সেইবুলি প্ৰজা সকলে খেতি কৰিবলৈ হলে, গুৰ বেছি খাজনা লগাই তাক কৰ নোৱাৰা কৰাইছিল। আমি 'মেজৰ বাটলাৰ টেডলচ' ত পাত্তি যে প্ৰত্যেক পুৰা মাটিত দহ টকাকৈ খাজনা লগাই দিছিল। আজি কালিৰ টকাৰ তুলনাত ১২০ টকা তাৰ খাজনা হব। সেই কাৰণে দেখা গৈছিল সৰু সাধাৰণে ইয়াৰ খেতি কৰিব নোৱাৰিছিল। যি হওক কেপ্টেন ভৱেলছৰ এগ্ৰেমেণ্টিচনৰ বৰ্ণনাত ১৭৯২ চনত দেখা যায় যে গৌৰীনাথ সিংহই এই মাদক দ্ৰব্য অতি মাত্ৰাই খাইছিল। সেই বাবে তেওঁ ৰাজকাৰ্য্য নিয়মমতে মনোযোগ দি সম্পাদন কৰিবলৈ অপাৰগ হ'ল। ১৭৯২ চনৰ পৰা ১৮৬১ চনলৈ ইয়াৰ প্ৰচাৰ বোধকৰো দিনক দিনে বাঢ়ি গৈছিল। ১৮৬১ চনত দেখা যায় ৫০০০ হেজাৰত কৈও বেছি দোকান অসমত হোৱাৰ লেখ পোৱা হৈছিল। আৰু পোহাৰী-বোৰে পাছিত লৈ বেহা কৰি ফুৰা পোৱা যায়। ১৮৬১ চনত অসমত আফুখেতি গৱৰ্ণমেণ্টে বন্ধ কৰে। সেই সময়ত প্ৰায় অসমত কানিৰ প্ৰচলন সৰু সাধাৰণৰ হৈছিল। ছকাৰী হিচাবৰ পৰা পোৱা যায় ১৮০০শ মোনৰ বেছি কানি মানুহে খাইছিল। কানিৰ দাম সেৰে ৫৲ টকা আছিল। তাৰ পিছত ছকাৰে কানিৰ দাম বঢ়াই ১৯২০ চনত ১২৲ লৈ কৰিছিল। তথাপিও ১৯২০ চনত ১৮৪২ মোন কানি অসমীয়া মানুহে খায়। ১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধী অসমলৈ আহে। তাৰ পিছত ১৯২৩ চনত প্ৰায় ১০০০ মোণ কানি কম হয়। ইয়াৰ বিৰুদ্ধে যুদ্ধ কৰা কংগ্ৰেছ কৰ্ম্মী সকলৰ যত্নতে এনে ফল পোৱা হৈছিল আৰু এই আন্দোলনৰ ফলত ১১০০ শৰ বেছি অসমীয়া যুবকে কাৰাবৰণ কৰিব লগাত পৰি-

ছিল। তেওঁলোকৰ সেই ত্যাগ অথলে যোৱা নাই নিশ্চয়। তাৰ পিছত কংগ্ৰেছ কৰ্ম্মীসকলে কাউঞ্চিলত ছকাৰক কানি নিবাৰণৰ এটা পদ্ধতি লবলৈ বাধ্য কৰে। ১৯২৬নৰ পৰাই এই পদ্ধতি মতে শতকৰা ১০ মোনকৈ কাণি গৱৰ্ণমেণ্টে কমাবলৈ বাজি হয়।

ইতিমধ্যে ১৯২৪—২৫ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে এটা কানি কংগ্ৰেছ কমিটি গঠন কৰি আজিৰ লিখকক সভাপতি স্বৰূপে আৰু প্ৰাতঃস্মৰণীয় ৺ বোহিণী কান্ত হাতীবৰুৱাক এই সভাৰ সম্পাদক পতা হৈছিল। এই সভাই ঠাইে ঠাইে ঘুৰি বহু সাক্ষীৰ (প্ৰায় ৫০০জন) জবানবন্দি লয়। প্ৰায় সকলোৱে এক বাক্যে কানি আমাৰ পৰা উঠিব লগা প্ৰস্তাবত মত দিয়ে। আৰু বিপোৰ্ট লিখাত শ্ৰীযুত দীনবন্ধু এণ্ড্ৰুজে প্ৰায় ৬ সপ্তাহ যোৰহাটত থাকি আগৰ পৰা ওবিলৈ চকু ফুৰাই দি প্ৰণালীবদ্ধ কৰিবলৈ ইঙ্গিত দিয়ে। তেওঁ কংগ্ৰেছ কমিটিত বিবিলাক বিপোৰ্ট শুদ্ধ অশুদ্ধ হৈছিল তাক পৰীক্ষা কৰি যায়। আৰু আমাৰ বিপোৰ্ট ঠিক হৈছেনে নাই তাক তিনিকুৰিয়া আদি ঠাইত পৰিদৰ্শন কৰি তেখেতৰ সন্দেহ ভঞ্জন কৰে।

তাৰ পিছত তেখেতে ঘুৰি চাকি অহোৰাত্ৰ পৰিশ্ৰম কৰি প্ৰায় তিনি সপ্তাহ কাল আকৌ থাকেহি। এনে ঋষিতুল্য এজনক আমাৰ ঘৰত পাই আমি সকলোৱে নিজকে ভাগ্যবান বিবেচনা কৰিছিলোঁ। তেওঁ আমাৰ ঘৰত এটা পৰিয়ালৰে এজন বুলি আছিল। আৰু চুবুৰিৰ মাজতো শ্ৰদ্ধাৰ ভাজন হৈছিল।

নগৰৰ সকলো মানুহে তেখেতক দেখা কৰিবৰ নিমিত্তে ব্যগ্ৰ হৈছিল। ছবিত তাৰ এটা দৃশ্য পাব। আমি মহাত্মাজী এণ্ড্ৰুজৰ প্ৰতি অসমীয়া জাতিৰ হৈ কৃতজ্ঞতা জনাওঁ।

এই কংগ্ৰেছ কমিটিৰ বিপোৰ্টৰ যুক্তি আৰু প্ৰমাণ কাটিবলৈ নোৱাৰিছিল। এই বিপোৰ্ট পৃথিবীৰ সকলো ঠাইলৈকে পঠোৱা হৈছিল আৰু গৃহীত হৈছিল।

১৯৩৪ চনতো ২৯৬ মোণ কানি অসমত প্ৰচলিত আছে। এতিয়াও কানিৰ বিৰুদ্ধে যুদ্ধৰ অন্ত হোৱা নাই। ৩৫০০০ হেজাৰ কানীয়া এতিয়াও অসমত বাস কৰি আছে।

৩৫০০০ হেজাৰ কেবল কানীয়া নহয়—পৰিয়ালহে কানিৰ গ্ৰাসত পৰি আছে। ইয়াৰ বিস্তৃত হৈ কিমান কানীয়া হব পাৰে আমি কল্পনা কৰিব নোৱাৰোঁ। ঘৰ প্ৰতি ৬জনকৈ ধৰিলে ৩৯০০০০ হেজাৰ মানুহে দিনে বাতিয়ে কানি খোৱা দেখা গৈছে। ইয়াক নিবাৰণ কৰা প্ৰত্যেক অসমীয়াৰে কৰ্ত্তব্য আৰু ধৰ্ম্ম।





সন্ধ্যাতি এনদক

[শ্ৰীযুত কুমুদৰ চলিহাৰ দত্ত]

ছাত্ৰৰ অঙ্কত ইংগিত ক্ষেত্ৰ, কলিকতা



অসমত সঙ্গীত চর্চ্চা

—শ্রীযুত পদ্মধৰ চলিহা এম-এ, বি-এল

(অসম সাহিত্য সভাৰ সঙ্গীত সম্মিলনীৰ সভাপতিৰ অভিভাষণ)

যং ব্রহ্মাবৰুণেন্দ্ৰৰুদ্ৰমৰুতঃ স্তুন্বন্তি দিব্যৈস্তবৈঃ।
বেদৈঃ সাঙ্গপদক্রমোপনিষদৈর্গায়ন্তি যং সামগাঃ
ধ্যানাৱস্থিত তদ্গতেন মনসাপশ্যন্তি যং যোগিনঃ
যস্যান্তং ন বিদুঃ সুৰাসুৰগণাদেৱায় তস্মৈ নমোনমঃ ॥

ব্রহ্মা, বৰুণ, ইন্দ্ৰ, ৰুদ্ৰ, মৰুতে যাক স্বৰ্গীয় স্তৱেৰে স্তুতি কৰে, সামবেদৰ গান গাওঁতাসকলে বেদ উপনিষদ আদিবে যাৰ গুণ গায়, যাক যোগীসকলে ধ্যানমগ্ন চিত্তেৰে ধ্যান কৰে, সুৰাসুৰে গণে যাৰ অন্ত নেপালে, সেই দেৱক শতবাৰ নমস্কাৰ কৰোঁ।

আজি সঙ্গীত সম্মিলনী ৰূপী মি জাতীয় যজ্ঞৰ অনুষ্ঠান দিহা কৰা হৈছে তাৰ পৌৰোহিত্য কৰিবলৈ

দেহা জাননী

আদৰিণী সমিতিৰ পৰা অহা সাদৰ আহ্বান এই নিঃকিন সেৱকৰ কাণত সঙ্গীতৰ ধ্বনিৰ নিচিনাকৈ পৰিলহি। সেই গীতৰ মধুৰ তান কাণৰ ভিতৰেদি মোৰ মৰ্ম্মস্থলত প্ৰবেশ কৰি প্ৰাণ আকুল কৰি পেলালে। আকুল কৰিলে এই বাবে যে এনে এখন বিৰাট সমাজত গোটখোৱা সঙ্গীতানুৰাগী বন্ধু সমহুৱা সকলে যেনে ধৰণৰ বসাল আৰু সঙ্গীতময় কথা শুনিবলৈ সাধাৰণতে হেঁপাহ কৰে, তেনে ধৰণৰ কথা এগাহাৰ কম সময়তে জুকিয়াই দাঙি ধৰা আনৰ বাবে নহলেও মোৰ নিচিনা ক্ষুদ্ৰশক্তিসম্পন্ন সীমাবদ্ধ জ্ঞানৰ মানুহৰ পক্ষে অতি দুঃসাধ্য কাম। আৰু যে কি গুণ গৰিমা, উৎকৰ্ষ বুধগতিৰ গুণত মোৰ ওপৰত এই কথাৰ ভৰা গধুৰ ভাৱদন পৰিল, সেই চিন্তাই মোক আকুল কৰি পেলালে। সঙ্গীত নিচিনা অপাৰ সমুদ্ৰ মন্থন কৰি অমৃত উলিওৱা দূৰৰ কথা তাৰ পাৰত বহি ধূলিকণা কেইটামান গোটাৰ পৰাৰো সাহস আৰু সামৰ্থ্য মোৰ হোৱা নাই। মই ওস্তাদ নহওঁ। সঙ্গীতজ্ঞ নহওঁ সুগায়ক নহওঁ কিন্তু এইটো হলে ডাঠ কৰ পাৰোঁ যে মই সঙ্গীত ভাল পাওঁ, সঙ্গীত মোৰ অতি আদৰৰ অতি হেঁপাহৰ বস্তু। সঙ্গীত শৈশৱৰপৰা মোৰ প্ৰিয় সহচৰ। সঙ্গীতৰ অমিয়া উপভোগ কৰিবলৈ পালে মই ভাত পানী, আনকি মোৰ হেপাহৰ তামোলখনি পৰ্য্যন্ত পাহৰি পেলাব পাৰোঁ। সঙ্গীত আৰু তাৰ আনুসঙ্গিক কলাবিলাকৰ মতে চৰ্চ্চা আৰু আলোচনা হয় তেতে মই দহ বন কাতি কৰি থৈ হলেও যোগ দিবলৈ পালে পৰম গৌৰৱ আৰু বিমল আনন্দ উপভোগ কৰোঁ। সৰুৱে পৰা জনাই নজনাই গুনগুনাই থাকোঁ, আৰু ছাত্ৰাৱস্থাৱে পৰা জনাই নজনাই গান ইটামান বচনা কৰিছিলোঁ—গানৰ পুথি দুই এখনি উলিয়াইছিলোঁ—এই হেঁপাহেৰে যে সকলোৱে অন্তৰ স্পৰ্শ কৰিব পৰা সহজ সুৰলা ভাষাৰে ৰজিতা খুৱাই অসমীয়া গানো যে ৰচিত কৰা যায়—তাক প্ৰতিপন্ন কৰোঁ। তাহানিখন ছাত্ৰাৱস্থাতেই এই অভাগীনে যি এখনি ক্ষুদ্ৰ ফুলনি পাতিছিলোঁ তাৰ ফুলবিলাকে সহৃদয় বাইজৰ পৰা আশাতীত আদৰ চেনেহ পোৱা দেখি আনন্দত হিয়া নাচি উঠিছিল। তাৰ কেইবছৰমানৰ পিছত অভাজনৰ মানস-সৰোবৰত উথলি উঠা কেইটামান সুৰৰ লহৰীৰ সমষ্টিয়ে দেশবাসীৰ প্ৰাণত সহানুভূতিৰ স্পন্দন তোলা দেখি অন্তৰ পুলকিত হৈছিল। স্বৰাজ আন্দোলনৰ সময়ত জাতীয় ভাৱত উদ্বুদ্ধ কৰি প্ৰেৰণা দিব পৰা গোটাদিয়েক গানৰ এখনি পুথিয়ে বচকৰ উদ্দেশ্য বহু পৰিমাণে সফল কৰা দেখি সুখ পাইছিলোঁ। সংসাৰৰ চাকনৈয়াত পৰি বিশাল ব্ৰহ্মপুত্ৰৰ পাৰৰ প্ৰাগ্‌জ্যোতিষপুৰত দেশৰ মুখপত্ৰ এখনি চলোৱাৰ কঠোৰ কৰ্ত্তব্য সম্পাদন কৰিব লগা হোৱাত মাজে সময়ে তাপিত

হিয়াক শাঁত কৰিবৰ আৰু সঙ্গীতানুশীলনৰ প্ৰতি উঠি অহা তৰুণ সম্প্ৰদায়ৰ ধাউতি বঢ়োৱাৰ উদ্দেশ্যে জনদিয়েক উৎসাহী বন্ধুৰ সহযোগ আৰু সহায়েৰে "সঙ্কিয়া সম্মিলনী" নামৰ যি এটি অনুষ্ঠান পতা হ'ল তাৰ কথা আজি এই সভাত উপস্থিত থকা বহুতে বোধকৰোঁ গম পাইছে। সঙ্গীত ক্ষেত্ৰত মোৰ অধিকাৰ বা অনধিকাৰ বুলিবলৈ এই খিনিয়েই। বোধকৰোঁ ইয়েই মোলৈ সভাপতিৰ বাব যচাৰ যাই বা একমাত্ৰ কাৰণ। সি যি নহওক, 'মাতিলে ৰণলৈকে যাবা' বোলা বুঢ়ালোকৰ কথাষাৰ শিৰোগত কৰি মৰসাহ কৰিয়েই মধুৰ দায়িত্বটি মধুৰ কৰ্ত্তব্য আৰু ৰজাতকৈয়ো ডাঙৰ ৰাইজৰ অলঙ্ঘনীয় আদেশ বুলি শিৰ দোঁৱাই গ্ৰহণ কৰিলোঁ। আৰু মোৰ ছমহীয়া কেচুৱা কালৰ নিচুকনি গীতৰ স্মৃতি জড়িত মঙ্গলদৈলৈ হেঁপাহ কৰি লৰি আহিলোঁ। এই মহৎ সন্মানে মোৰ যোগ্যতাৰ পৰিচয় নিদি আপোনালোকৰ মহানুভৱতাৰ হে চিনাকী দিছে। এই অভাৱ অনাটনৰ দিনত আপোনালোকক শলাগ জনাবলৈ মোৰ ভাষাৰো যে নাটনি ভাষাৰো যে আকাল; আপোনালোকলৈ মোৰ এখনি প্ৰাণভৰা শলাগৰ শৰাই আগবঢ়াই আপোনালোকৰ সহানুভূতিৰ নিৰ্ম্মালি ভিক্ষা কৰিছোঁ। সকলোখিনি বঢ়া টুটা দোষ মাৰ্জ্জনা কৰি যেন ৰাজহংসৰদৰে পানী এৰি সৰঁখিনি গ্ৰহণ কৰে।

সংস্কৃত শাস্ত্ৰত কৈছে —

সঙ্গীতৰ উৎপত্তি আৰু প্ৰাচীনতত্ব

জপকোটী গুণং ধ্যানং ধ্যানকোটী গুণং লয়ঃ।
লয়কোটী গুণং গানং গানাৎ পৰতৰং নহি॥

জপতকৈ ধ্যান কোটীগুণে ডাঙৰ, ধ্যানতকৈ লয় কোটীগুণে ডাঙৰ লয়তকৈ গান কোটিগুণে ডাঙৰ গানতকৈ ডাঙৰ জগতত একো নাই।" 'নবিদ্যা সঙ্গীতাৎ পৰা।' ভাৰতৰ ঋষি মুনিসকলে সঙ্গীতক ইমান ওখ ঠাই দি গৈছে।

নাৰদ সংহিতাত কৈছে ;—

ভৰতং নাৰদং ৰম্ভা হুহুং তুম্বুৰুমেবচ।
পঞ্চশিষ্যাং স্তুতোধ্যাপ্য সাঙ্গীতংব্যাদি সদ্বিধিঃ॥"

অৰ্থাৎ সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই মহাদেৱৰ ওচৰত প্ৰথমেই সঙ্গীত শিক্ষা কৰি তাৰ পিছত ভৰত নাৰদ, ৰম্ভা, হুহু আৰু তম্বুৰু এই পাঁচ গৰাকী শিষ্যক শিকায়। আৰু ভৰত মুনিয়ে পৃথিৱীত সঙ্গীত প্ৰচাৰ কৰে। ইয়াৰপৰা, এইটো প্ৰতীয়মান হয় যে সঙ্গীত অতি পুৰণি বিদ্যা। ই ইমান পুৰণি যে প্ৰাচীন শাস্ত্ৰকাৰ সকলে তাৰ আদি বিচাৰি নোপোৱাত সি দেৱাদিদেৱ মহাদেৱৰ পৰা উদ্ভূত হৈছে বুলি কবলৈ বাধ্য হৈছে। পৌৰাণিক কথা এৰি দি ন্যায় আৰু যুক্তিৰে সঙ্গীতৰ উৎপত্তি কেনেকৈ হ'ল, তাক গমি চাব পৰা যায়। ডাক্তৰ বাৰ্ণিয়ে "সঙ্গীতৰ বুৰঞ্জী" নামৰ অমূল্য গ্ৰন্থত কৈছে ;—'পৃথিৱীত মানুহ উদ্ভৱ হোৱাৰ লগে লগে কণ্ঠ-সঙ্গীতৰ উদ্ভৱ হৈছে। ভাষা সৃষ্টি হোৱাৰ পূৰ্ব্বেই সুখ দুখ আনন্দ অনুৰাগ প্ৰভৃতিৰ মনৰ যাবতীয় আবেগ প্ৰকাশ কৰিবৰ কাৰণে এক এক প্ৰকাৰৰ দীৰ্ঘস্বৰ স্বাভাৱিকৰূপে ব্যৱহাৰ কৰা হৈছিল। মনৰ বেলেগ বেলেগ অৱস্থা—আনন্দ, বিৰাগ, বিষাদ, ক্ৰোধ, ঘৃণা, ভয়, সাহ ব্যক্ত কৰিবলৈ বেছি স্বৰৰ আৱশ্যক নহয়। আৰু সেই আবেগসূচক স্বৰ সকলো মানুহৰে প্ৰায় একে। কেৱল বয়স, লিঙ্গ আৰু শাৰীৰিক গঠনৰ বিভিন্নতাত স্বৰৰ গম্ভীৰতা, আৰু তীব্ৰতাৰ প্ৰভেদ হয় মাথোন। তাৰ পিছত যেতিয়া দেশ আৰু সমাজৰ ৰীতি ভেদ অনুসাৰে কথাৰ সৃষ্টি হয়,—তেতিয়া সেই স্বাভাৱিক স্বৰ ক্ৰমে অৰ্থশক্তিহীন, আৰু নানান বাক্যত পৰিণত হৈ অস্পষ্ট হৈ পৰে। এতিয়াও ইতৰ প্ৰাণীবোৰৰ মাজত সেই স্বাভাৱিক স্বৰ আছে। আৰু তাক সকলোৱে বুজিব পাৰে। কিন্তু মানুহৰ একোটা কল্পিত ভাষা অলপ ঠাইতহে প্ৰচলিত হয় আৰু তাক বিশেষ কষ্টেৰে শিকি তাৰে কথা বাৰ্ত্তা পতা হয়।"

১৮২৮ খৃষ্টাব্দত হিন্দুসঙ্গীত সম্বন্ধে এখন উৎকৃষ্ট গ্ৰন্থ লিখোতা কেপ্টেইন এ, উইলাৰ্ড চাহাবে উল্লিখিত মততে হৰিভৰ দি কয় যে সকলো ভাষাতত্ত্ব বিদ্ দাৰ্শনিকে একমত হৈ এই সিদ্ধান্তত উপনীত হৈছেযে মানবীয় ভাষাৰ পূৰ্ব্বেই সঙ্গীতৰ উদ্ভৱ হৈছে। স্বৰভঙ্গীৰ বহুল বিচিত্ৰতাই হৈছে সঙ্গীত, ই ভাষাৰো আত্মাস্বৰূপ, আৰু আত্মাৰো ভাষাস্বৰূপ;

শব্দব্ৰহ্মতে বা ওঙ্কাৰতে সঙ্গীতৰ উদ্ভৱ বুলি অনেক শাস্ত্ৰকাৰৰ ধাৰণা।

"ওঁঙ্কাৰঃ স্বাথশব্দশ্চ দ্বাৰেতৌ ব্ৰহ্মণঃ পুৰা।
কণ্ঠং ভিত্বা বিনিৰ্যাতো তেন মাঙ্গলিকাকুভৌ।"

ওঙ্কাৰ আৰু অথ—এই দুটা শব্দ আগেয়ে ব্ৰহ্মাৰ কণ্ঠ ভেদ কৰি ওলাইছিল। এই দুটা মঙ্গলময় শব্দ। ওঙ্কাৰং পৰমং ব্ৰহ্ম স্বভাবোধ্যাত্মমুচ্যতে॥ শব্দ ব্ৰহ্মতে বা ওঙ্কাৰতে সঙ্গীতৰ উদ্ভৱ বুলি অনেক শাস্ত্ৰকাৰৰ ধাৰণা। কোৰাণৰ মতে নাদ বা শব্দব্ৰহ্মৰ পৰা আত্মাৰ সৃষ্টি। প্ৰাচীন কালত গ্ৰীক দাৰ্শনিক পিঠাগৰাছে—Music of the Spheres "আকাশী সঙ্গীত" নামৰ এটি তত্ত্ব আবিষ্কাৰ কৰি জগতক বিঙিয়াই কৈছিল যে চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰ সকলো এটি বিৰাট সঙ্গীতৰ তালে তালে আকাশ মণ্ডলত ঘূৰিব লাগিছে। মুছলমান শাস্ত্ৰ কোৰাণেও কয়,—"আছছাম ছোৱাল কামৰ, মেহছৱান বান নজমুৱাছ ছজক মেহৱান।" অৰ্থাৎ জোন বেলি নক্ষত্ৰবিলাক সঙ্গীতৰ এটা বন্ধা গতত ঘূৰি আছে। এই বিনন্দবিলাস সৃষ্টিত পশু পক্ষী, মানৱ সকলো ৰাজ্যতে সঙ্গীতৰ প্ৰভাৱ দেখা যায়। চৰাইৰ মাতত সুন্দৰ পূৰ্ণস্বাৰিক ধ্বনি শুনিবলৈ পোৱা যায়। কেতেকীৰ অ' কেতেকী কুলিৰ কু-উ, সকলোতে এটি সঙ্গীতৰ ৰোল বাজি উঠিছে। পশুৰ মাজতো পূৰ্ণস্বাৰিক ধ্বনি শুনা যায়। মেকুৰীজনীয়ে ভোক লাগিলে তাই গিৰিহঁতৰ পাছে পাছে ফুৰোঁতে যি মাত মাতে তাতো এটি কাকুতি মিনতিৰ করুণ সঙ্গীত ফুটি উঠে।

এই বিলাকৰ পৰা বুজা যায় যে সঙ্গীত জীৱৰ স্বাভাৱিক ধৰ্ম্ম। সুপ্ৰসিদ্ধ প্ৰাণীতত্ত্ববিদ্ ডাৰৱিনে কৈছে যে যৌন নিৰ্ব্বাচনৰ (Sexual selection) দ্বাৰা জীৱ-জন্তুৰ স্বৰৰ ক্ৰমবিকাশ (Evolution) ক্ৰিয়া যোগেৰে ক্ৰমশঃ সালসলনি হৈ আৱশ্যক অনুসৰি সাঙ্গীতিক ধ্বনিত পৰিণত হৈছে। যিবিলাক প্ৰাণীয়ে কণ্ঠস্বৰেৰে মাইকীবোৰৰ মন আকৰ্ষণ কৰিব পাৰে, তেওঁলোকৰ মনোহৰ ধ্বনিৰ বিশেষ দৰ্কাৰ।

সঙ্গীত ৰত্নাকৰত কৈছে—

"অজ্ঞাত বিষয়াস্বাদো বালঃ পৰ্য্যঙ্ক শয়নে।
ৰুদনং গীতামৃতং স্বাহুহৰ্ষোৎকৰ্ষ প্ৰপদ্যতে॥"

সঙ্গীতযে আমাৰ স্বভাৱসম্ভূত আৰু নৈসৰ্গিক বস্তু কেচুৱা লৰাৰ গতিবিধি লক্ষ্য কৰিলেই তাৰ আভাস পোৱা যায়। কেচুৱা লৰাৰ একোটি মাত একোটি সঙ্গীতৰ ধ্বনি মাথোন। কেচুৱা লৰা-ছোৱালীয়ে আনন্দৰ ভাৱ নানান প্ৰকাৰৰ নৃত্যভঙ্গী আৰু কিৰীলিৰে প্ৰকাশ কৰে—সেই ভাষা তাল আৰু ছন্দত ক্ৰমে পৰিণত হয়। মানৱ সমাজত সঙ্গীতৰ উৎপত্তি হয় মনত ভিন্ ভিন আবেগ-বিলাক প্ৰকাশ কৰাৰপৰা। ভাষা বা বাক্য সৃষ্টি হোৱাৰ পূৰ্ব্বে মানৱ জাতিয়ে সঙ্গীতৰ সহায়েৰে ভিন্ ভিন্ ভাৱ প্ৰকাশ কৰিছিল বুলি অনেকৰ ধাৰণা। কণ্ঠ-সঙ্গীতেই মানৱৰ আদি সঙ্গীত। কোনো আবেগ বা অনুভূতিৰ বিভিন্ন ক্ৰিয়া প্ৰক্ৰিয়া ফুটাই তুলিবলৈ স্বৰৰ সালসলনি কৰিব লগা হয়। ছিছিল গ্ৰেই তেওঁৰ 'History of Music গ্ৰন্থত কৈছে যে—"All music is originally vocal. All vocal sounds are produced by the agency of certain muscles. Variations of sound are the physiological results of variations of feeling. Each inflection is the natural outcome of some passing emotion or sensations" তেওঁ আৰু কৈছে যে মনৰ অনুভূতি বিলাক ছন্দ আৰু গতি বা নৃত্যত প্ৰকাশ পায়—

"Feelings demonstrate themselves in sounds as well as in movements. Dancing is a rhythmical actions natural to elevated emotion."

মিঃ গ্ৰেৰ মতে কণ্ঠসঙ্গীত বা সঙ্গীত মাত্ৰেই আবেগৰ স্বাভাৱিক ভাষাৰ প্ৰতীক মাথোন—"Vocal music and by consequence all music is an idealisation of the natural language of emotion."

গতিকে দেখা গ'ল যে মানৱ প্ৰকৃতিৰ অন্তৰ্জ্জাত সঙ্গীত আৰু কণ্ঠ সেই সঙ্গীতৰ স্বাভাৱিক যন্ত্ৰ। গীত বাদ্য

আৰু নৃত্য এই তিনিওটি সঙ্গীতৰ অন্তৰ্গত। "গীতং বাদ্যঞ্চ নৃত্যঞ্চ ত্ৰয়ং সঙ্গীতমুচ্যতে।"

কোনো কোনো পণ্ডিতৰ মতে সঙ্গীতো কাব্যৰ ভিতৰতে। দৃশ্য কাব্য অৰ্থাৎ নাটকাদি গীতিকাব্য অৰ্থাৎ সঙ্গীত আৰু শ্ৰাব্য কাব্য। কাব্য, চিত্ৰ, অঙ্কন বা ভাস্কৰ্য্য আৰু সঙ্গীত;—এই চাৰিওটা বিদ্যাৰ উমৈহতীয়া উপকৰণ হৈছে ৰস। মানৱ কল্পনাৰপৰা ওলোৱা যি বস্তুৰ এনে এটি গুণ থাকে যে তাক দেখিলে শুনিলে নাইবা পাঠ কৰিলে মনৰ ভিন্ ভিন্ অৱস্থাৰ সৃষ্টি হয়, তাকে ৰস বোলা যায়। ৰসোদ্দীপনাৰ মুখ্য ৰহস্য হৈছে স্বভাবানুকৰণ। তাৰ পৰাই কাব্য, চিত্ৰ ভাস্কৰ্য্য আৰু সঙ্গীতৰ উৎপত্তি। গতিকে পণ্ডিত সকলে এই চাৰিটা বিদ্যাকে আলঙ্কাৰিক কলা (Fine Arts) নামে অভিহিত কৰিছে। আমাৰ দেশৰ সুকুমাৰ শিল্পকলাৰ ভিতৰত গীত, নৃত্য, বাদ্য অৰ্থাৎ সঙ্গীত, চিত্ৰ ভাস্কৰ্য্য, আদিক গণ্য কৰা যায়। এই চাৰিওটি বিদ্যাৰ উদ্দেশ্য হৈছে স্বভাৱ বৰ্ণোৱা। কাব্যৰ উদ্দেশ্য—কলাৰ জৰিয়তে স্বভাৱৰ অনুকৰণ, চিত্ৰৰ উদ্দেশ্য ৰঙৰ জৰিয়তে স্বভাৱৰ অনুকৰণ, চিত্ৰৰ উদ্দেশ্য ৰঙৰ জৰিয়তে স্বভাৱ অনুকৰণ, ভাস্কৰ্য্যৰ উদ্দেশ্য গঠন আৰু আকৃতিৰ জৰিয়তে স্বভাৱৰ অনুকৰণ আৰু সঙ্গীতৰ উদ্দেশ্য হৈছে সুৰৰ জৰিয়তে স্বভাৱৰ বা প্ৰকৃতিৰ অনুকৰণ। কিন্তু অকল মানৱ মনৰ ভাব আৰু আগে বৰ্ণোৱাটোৱেই সঙ্গীতৰ একমাত্ৰ উদ্দেশ্য নহয়। বাহ্য জগতৰ সকলো শব্দময় কাৰ্য্যকে সঙ্গীতে বৰ্ণনা কৰিব পাৰে। মানুহৰ মনৰ ভিন্ ভিন্ ভাব বেকত কৰিবলৈ ভিন্ ভিন্ সুৰ আছে। শোকৰ সুৰ, আনন্দৰ সুৰ, ক্ৰোধ, প্ৰেম, স্নেহ, উৎসাহ, ভয়, উলাহ—প্ৰভৃতিৰ সুৰ ভিন্ ভিন্ ধৰণৰ। শৃঙ্গাৰ, হাস্য, কৰুণ, বীৰ, ৰৌদ্ৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্তি এই ন ধৰণৰ ৰসৰ সজুলি লৈয়ে কবিৰ কাব্যৰ সৃষ্টি হয়। এই বিলাকৰ একো একোটি সুৰ আছে। সমূহৰ মাতৰ ভিন্ ভিন্ বিস্তৃতি বা স্বৰভঙ্গীৰে সেই সুৰবিলাক ফুটাই তুলি ৰসৰ উদ্ৰেক কৰা হয়। সঙ্গীতৰ কৰ্ত্তব্য হৈছে এই স্বৰভঙ্গী কেনেকৈ হয় তাক প্ৰকাশ কৰাটো। সঙ্গীতৰ ওস্তাদ ৺ লক্ষ্মীৰাম বৰুৱা দেৱে "সঙ্গীত সাধনা"ত লিখিছে;—"একো একোটা স্থায়ী ভাব একো একোটা ৰসত সদায় থাকে; কেতিয়াও নুগুচে। কৰুণ ৰসত শোক, বীৰৰসত উৎসাহ অদ্ভুত ৰসত বিস্ময়, ৰৌদ্ৰ ৰসত ক্ৰোধ, ভয়ানক ৰসত ঘৃণা, আৰু শান্তৰসত মমতা হয়। প্ৰত্যেক ৰাগ ৰাগিণীত ইয়াৰ এটা নহয় এটা ৰস বৰ্ত্তমান আছে। সিন্ধুড়া, ৰামকেলী, ভূপালী ইত্যাদি হাস্য ৰসাত্মক, পূৰবী পাহাড়ী, বিভাস, যোগীয়া ভৈৰবী কৰুণ ৰসাত্মক; শঙ্কৰা, নট, মালব আদি বীৰ ৰসাত্মক; কালাং বা, পৰজ, কেদাৰা, ললিত, বাহাৰ আদি ৰসাত্মক আৰু লুম, বাবোৱা, ইমন্ ঝিঝিৎ, খাম্বাজ, পিলু সৰ্ব্বৰসাত্মক।

সঙ্গীতৰ উৎপত্তি কেনেকৈ হ'ল, সঙ্গীতে যে মানৱজাতি নালাগে চৰাচৰ বিশ্বৰ নৈসৰ্গিক বস্তু, সঙ্গীত যে মানৱ জাতিৰ অতি প্ৰচীন বিদ্যা, সঙ্গীতৰ উদ্দেশ্য কি এই বিলাক বিষয়ে যিখিনি সঁজুলি ক্ষুদ্ৰ শক্তিৰে গোটাব পাৰিছোঁ—তাক আপোনালোকৰ আগত দাঙি ধৰিলো। সঙ্গীতৰ প্ৰভাৱ আৰু মহিমাৰ বিষয়ে অলপমান কথা নিবেদন কৰিবলৈকো আপোনালোকৰ ওচৰত অনুমতি ভিক্ষা কৰিলোঁ। সঙ্গীত যে কিমান মধুৰ, কিমান পৱিত্ৰ, কিমান মহৎ, কেনে স্বৰ্গীয়' বস্তু তাক বৰ্ণাবলৈ এই ক্ষুদ্ৰ লিখনী অক্ষম। পূৰ্ব্বকালৰ ঋষি-মুনি সকলে সঙ্গীতৰ মহিমা সুন্দৰকৈ উপলব্ধি কৰিছিল। সাহিত্য আৰু সঙ্গীতত ৰাপ থকা মানুহ পুচ্ছ আৰু বিষাণ বা শিং নোহোৱা পশুৰ নিচিনা বুলি সংস্কৃত শাস্ত্ৰত কৈছে। বেদৰ একোটি গানৰ গভীৰ মূৰ্চ্ছনাই গভীৰ অৰণ্যৰ নিস্তব্ধতা ভেদি আকাশপৱন প্ৰতিধ্বনিত কৰি কি যে স্বৰ্গীয় আনন্দময় ৰাজ্যৰ সৃষ্টি কৰিছিল আজিৰ বস্তুতন্ত্ৰবাদী তমসাচ্ছন্ন মানৱে তাক অনুমান কৰাই টান। যিদিনা ভাৰতত;—"মুহিছিলে তপোবন হোমৰ গন্ধে, ধ্বনিছিলে ত্ৰিভুবন বেদৰ ছন্দে'—সেই দিনা ভাৰতে অধিকাৰ কৰিছিল—জগতত শীৰ্ষস্থান। প্ৰথমতে বেদবিলাকক ত্ৰিকালজ্ঞ ঋষি মুনি তপস্বী তপস্বিনী

সঙ্গীতৰ প্ৰভাৱ

সকলৰ মুখে মুখে চলিছিল। তাৰ পিছত যেতিয়া সেই বিলাকত ৰজিতা খুৱাই খুৰ বা জাত দি গেৱা হ'ল, সেই বিলাকৰ নাম হল সামবেদ। খৃষ্ট জন্মৰ কত হেজাৰ বছৰ পূৰ্ব্বেই ভাৰতত সঙ্গীতৰ চৰ্চ্চা হৈছিল, তাক নুই কৰিব নোৱাৰি। মহাকবি ছেক্সপিয়াৰে কৈছে যে মানুহৰ আত্মাত সঙ্গীত নাই। মধুৰ লহৰী শুনি যাৰ হৃদয়ত স্পন্দন নুঠে, বিশ্বাসঘাতকতা, ষড়যন্ত্ৰ, পৰদ্ৰব্য-লুণ্ঠন, প্ৰভৃতি বীভৎস কাৰ্য্যৰ কাৰণেহে লায়ক। "The man that hath no music in his soul and is not moved by concord of sweet sounds,
Is fit for treasons stratagems and spoiles" ইংৰাজ কবি কংগ্ৰীভে কৈছে যে সঙ্গীতৰ প্ৰভাৱত শিল পমি যায়, বৰ গছ দোঁ খায়, বনৰীয়া জন্তুৱেও হিংস্ৰস্বভাৱ পৰিত্যাগ কৰে। তাহানিখন ঋষি মুনি সকলৰ সুগভীৰ সুমধুৰ বেদধ্বনিৰ প্ৰভাৱত বনৰ হৰিণ আন্‌কি বাঘ সিংহ বিষধৰ ভুজঙ্গ পৰ্য্যন্ত মন্ত্ৰমুগ্ধ হৈ শুনি থাকা প্ৰমাণ ভুৰি ভুৰি।

মনীষী হাবাৰ্ট স্পেন্সাৰে (Harbert Spencer) origin and function of music নামৰ বহু মূলীয়া তথ্যপূৰ্ণ প্ৰবন্ধত লিখা দুফাকিমান তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। তেওঁ কৈছে—"At different periods and in different circumstances and environment music has been variously regarded by philosophers as a key to the understanding of the nature of the universe as an imitation of reality as an idealisation of beauty, as a means of the attainments of a literary end, as an expression of emotion, as a vehicle for the conveyance of religious truths, the aesthetic centre about which the musical centre is described and the direction in which the greatest strength lies consists in the expression of the emotions rather than of thoughts, in the realisation of intangible moods rather than of concrete forms, in the depictions of ideality rather than of reality and in the appeal to spirit rather than to sense. All these other things music can do but nothing so well as these. These others also can do but nothing like so well as music can * * * *" Musice is universally regarded as the foremost and first among all the Arts. "ইয়াৰ ভাবাৰ্থ থোৰতে কবলৈ হলে এই যে ভাবৰাজ্যৰ বিষয় বিলাক সঙ্গীতে যেনেকৈ বৰ্ণাব পাৰে ইন্দ্ৰিয় বিলাকতকৈ যেনেকৈ আত্মাই আকৰ্ষণ কৰিব পাৰে আন কোনো কলাবিদ্যাই তেনেকৈ নোৱাৰে। সঙ্গীতক সেই দেখি সকলো কলাৰ ভিতৰত সৰ্ব্বপ্ৰথম আৰু সৰ্ব্বোৎকৃষ্ট আসন দিয়া হয়।

তাহানিখন এবাৰ বঙ্গ সাহিত্য সম্মিলনৰ সভাপতিৰ আসনৰ পৰা প্ৰাতঃস্মৰণীয় দেশবন্ধু চিত্তৰঞ্জন দাসে তেখেতৰ স্বভাৱসুলভ কবিতাময়ী ভাষাৰে এইদৰে গানৰ মহিমা বৰ্ণাইছিল, :—"কবিতা আৰু গানৰ ভিতৰত অলপ প্ৰভেদ আছে। গানত যেতিয়া আমি নিজকে নিজকে ব্যক্ত কৰোঁ, তেতিয়া সুৰেই আমাৰ প্ৰধান সহায় হয়। কথা ভাবানুযায়ী উপলক্ষ মাথোন পৰ্ব্বতৰ গাৰ ঘাত প্ৰতিঘাতত নিজৰাটি যেনেকৈ বিচিত্ৰ ধ্বনিৰে গিৰি গহন মুখৰিত কৰি নিজৰ পথ নিজে উলিয়াই অবাধে বৈ যায় গানেও তেনেকৈ নিজৰ বাট নিজে উলিয়াই সুৰৰ ভিতৰেদি পৰম চৰমত মিলি যায়।"

অতীত কালত গ্ৰীক্ সকলে সঙ্গীতৰ অধিষ্ঠাত্ৰী দেৱীক এণ্টাৰ্পি (Enterpe) নামেৰে অভিহিত কৰি জুপিটাৰ (বৃহস্পতি) আৰু মেমছাইনৰ দুহিতা স্বৰূপে এপল'ৰ লগত পাৰ্ণাছছ গিৰিত বাস কৰা বুলি বৰ্ণনা কৰিছিল মেমছাইন হৈছে স্মৃতিৰ প্ৰতিমূৰ্ত্তি। আৰু পাৰ্ণাছছ, হৈছে আৰ্টৰ প্ৰতীক। হাৰ্ব্বাট স্পেন্সাৰে কৈছে যে কবি

বা সাহিত্যকে যেনেকৈ কথাবে চিন্তা কবে বা ভাব ব্যক্ত কবে সঙ্গীতবিদে স্বরেবে চিন্তা বা ভাব ব্যক্ত কবে।

ইংবাজ কবি এডিশুনব মতে সঙ্গীত ঈশ্বব প্রদত্ত বস্তবিলাকব ভিতবত সৰাতকৈ কল্যাণকব বস্তু। ই স্বর্গবপবা মর্ত্যলৈ নামি অহা অমৃত। সঙ্গীতে মহান্ ভাব জন্মাব পাবে, অনল জগাব পাবে, প্রেম ওপজাব পাবে।

Music ! the greatest good mortals knows,
And all of heaven, we have below.
Music can noble hints impart,
Engender fury, kindle love,
With unsuspected eloquence can move,
And manage all the man with secret art.

জার্ম্মান্ পণ্ডিত ছিলাবব মতে সঙ্গীত সুকোমল প্রচাৰক। (Song is the delicate preacher.) ডাক্তাব মাটিণ্বুবে কৈছে—"Song and prayer are the successive beatings of the wing of Inspiration." গীত আৰু উপাসনা হৈছে অনুপ্রেবণাৰূপী চবাইব ডেউকাব উবণ।

জার্ম্মেন মনস্বী অধ্যাপক মোক্ষমুলাবে সঙ্গীতক কলাবিকব ভিতবত কিমান ওখ ঠাই দিছে শুনক।—"Music gives us a new life and to be without that life is the same as to be blind. Music is the language of the soul, but it defies interpretation. It means something but that something belongs not to another world, quite real, though beyond all definition. How different music is from all the other arts."

ইয়াব ভাবার্থ এই—সঙ্গীতে আমাক নতুন জীবন দিয়ে আৰু সেই জীবনব অবিহনে আমি কণাব নিচিনা হওঁ। সঙ্গীত আত্মাব ভাষা, কিন্তু সি অব্যক্ত, অনির্ব্বচনীয়। ই তর্ক আৰু যুক্তিবাজাব বাহিবত। ই এখন বাস্তব অথচ বর্ণনাতীত বাজাব বস্তু। আনবিলাক কলাবিদ্যাবপবা সঙ্গীত পৃথক।

সুপ্রসিদ্ধ ভাবতীয় দার্শনিক ডাক্তব প্রভুদত্ত শাস্ত্রীয়ে তাহানিখন কলিকতাত সঙ্গীতব মহিমা এই বুলি বর্ণাইছিল যে সঙ্গীতে আমাক স্বরব বলেবে এনে এখন বাজাবলৈ নিয়ে যত চিবদিন কেবল আনন্দ কেবল বিমল জ্যোতি বিবাজি থাকে।

ফবাছি বীব মিবেবই—(Mirabeau) অন্তিমকালত এইবুলি কাতবভাবে কাকুতি কবিছিল—"মোক সঙ্গীতব ধ্বনি শুনি মবিবলৈ, দিয়া।" (Let me die to the sound of music)"

মহামতি প্লেটেই কৈছে যে সঙ্গীতব উদ্দেশ্য মাত্র আমোদ প্রমোদ বুলি ভবা নিতান্ত অন্যায়। সৎ কাৰ্য্যব দবে সঙ্গীতেও অন্তবত ওখ ভাবব সঞ্চাব কবি সৎ প্রবৃত্তি বিলাক জগাই সহানুভূতি, ধর্ম্মপবায়ণতা, সৌন্দর্য্য বোধ প্রভৃতিব উদ্রেক কবে। সঙ্গীতে সাহিত্য তুলনি বাছকনবীয়া ফুলব সাজ পিন্ধি আৰু সাদবী ভনী চিত্রিকাক লগবী কবি বৈ কল্পনা-বাজ্যব সুন্দব, মধুব আৰু মহৎ ভাবব প্রতি মানবাত্মাক আগুবাই লৈ যায়। আৰু সৎভাব, সৎ প্রবৃত্তি বিলাক বিকশিত আৰু প্রস্ফুটিত কবে।

সিদিনা অলপতে নিখিল ভাবত সঙ্গীত সম্মিলনীব সভাপতি স্বৰূপে শান্তি-কটকী বুলী জনাজাত শ্রীযুত এন, আব, জয়াকবে সঙ্গীতব প্রভাবব বিষয়ে এই অভিমত প্রকাশ কবিছিল যে ভাবতবর্ষত আছকালীয়া সাম্প্রদায়িক বিবোধব অবসান পেলাই ভিন্ ভিন্ সম্প্রদায়ব মাজত ঐক্য আৰু মিলাপ্রীতি স্থাপন কবাব এতিয়াই উপায় সঙ্গীতেইহে।

বর্ত্তমান জগতব শ্রেষ্ঠ পুৰুষ যুগাৱতাব সত্যাগ্রহী মহাত্মা গান্ধীয়ে ১৯২৯ চনব জানুৱাবী মাহৰ "নৱজীৱন" কাকতত লিখা এটি প্রবন্ধব ইংবাজী ভাঙনি 'ইয়ং ইণ্ডিয়া' কাকতত "Influence of Music" 'সঙ্গীতব প্রভাব' নামেবে প্রকাশিত হৈছিল। গুজবাট বিদ্যাপীঠব এগবাকৈ ছাত্রই সঙ্গীতে তেখেতব জীবনত কেনেকুবা প্রভাব বিস্তাব কবিছে বুলি কবা প্রশ্নব উত্তবত দিয়া তেখেতব সাবগর্ভ মন্তব্যটিয়ে নিশ্চয় সকলোবে অন্তব স্পর্শ কবিব।

"Music has given me peace. I can remember occasions when music instantly tranquilised my mind when I was greatly agitated over something

Music has helped me to overcome anger. I can recall occasions when a hymn sank deep into me though the same thing expressed in prose had failed to touch me I also found that the meaning of hymns discordantly sung has failed to come home to me and that it burns itself in my mind when they have been properly sung. When I hear Gita verses melodiously recited I never grow weary of hearing and the more I hear the deeper sinks the meaning in my heart. Melodious recitations of the Ramayana which I heard in my childhood left on me an impression wich years have not obliterated or weakened. I distinctly remember now when the hymn 'The path of the Lord is meant for the brave not the coward." was sung to me in an extraordnarily sweet tone, it moved me as it had never before. In 1907 while in the Transval I was almost fatally assaulted the pain of the wounds was relieved when at my instance Olive Doke gently sang to me "Lead kindly light * * *" I do not mean to suggest either that because the influence of music has been uniformly good on me, it must act similarly on others. On the contrary I know that many people employ music to feed their carnal passions. To sum up therefore we may say that the influence of music will differ according to temperaments."

মহাত্মা গান্ধীব এই কথাখিনিব সাব মৰ্ম্ম এই—"সঙ্গীতে মোক শান্তি দিছে। ভালমান সময়ত কোনো বিষয়ত মোব মন বৰকৈ চাটফুট কবিলে সঙ্গীতে মোব তাপিত প্রাণ শীতল কবে। * * * গীতাব শ্লোকবিলাক সুব লগাই গালে মোব শুনি থাকিবলৈ মন যায়। আৰু নিমানেই শুনি থাকো নিমানেই তাব গূঢ় অর্থ মোব অন্তবত দৃঢ়ৈ প্রবেশ কবে। লবাকালত শুনা বামায়ণব জাত লগাই গোৱা আবৃত্তি বিলাক এই বুঢ়া বয়সতো মোব কাণত বাজি আছে। ১৯০৭ মনত দক্ষিণ আফ্রিকাব ট্রান্সভালত মোক সাঙ্ঘাতিককপে কোনোবাই অথম কবাত মেতিয়া অলিভ ডকে বাইবেলবপবা—"হে ভ্রিয় বন্ধি! মোক বাট দেখুৱাই লৈ যোৱা" এই স্তোত্রটি গালে তেতিয়া মোব যন্ত্রণা বহুত শান কাটিলে। * * * কিন্তু ইয়াব পবা বুজিব নালাগে যে সকলোবে প্রাণত সঙ্গীতে এনেদবে সৎ প্রভাব বিস্তাব কবে। কোনো কোনো লোকে নীচ কাম-প্রবৃত্তি চবিতার্থ কবিবব কাবলে সঙ্গীত উপভোগ কবে। গতিকে মানুহব মনোবৃত্তি অনুসবি সঙ্গীতব প্রভাব বিস্তাব হয়।"

মুছলমান সকলব সঙ্গীতব প্রতি অনুবাগ নাই বা সঙ্গীতক তেওঁলোকে ওখ ঠাই নিদিয়ে বুলি বহুতব ভুল ধাবণা আছে। সঙ্গীতব সঙ্গীত আৰু মুছলমান সম্প্রদায় বিৰুদ্ধে কোৰাণব ক'তো এযাবো কথা সঙ্গীত চর্চ্চাব বাবে দণ্ডব বিধান নাই। ববং সঙ্গীত আটাইতকৈ ওখ ধৰণব বিদ্যা আৰু স্বৰ্গীয় বস্তু বুলি উল্লিখিত আছে। ওপবত উদ্ধৃকিয়াই অহা গ্রহ নক্ষত্রবিলাক সঙ্গীতব (Music of the Spheres) কথাবো কোৰাণত আভাস পোৱা যায়। এই সঙ্গীত আত্মাব কাবণে মঙ্গলজনক বুলিও আছে। অবশ্যে নীচ ধৰণব বা অসৎভাবব উদ্রেক কবা সঙ্গীতক আন ধর্ম্মশাস্ত্রব

দৰে কোৰাণেও নিন্দা কৰাটো স্বাভাৱিক। মুছলমান সকলৰ মাজৰ ছুন্নি সম্প্ৰদায়ে সঙ্গীতক অতি ওখ ঠাই দিয়ে তেওঁলোকৰ মাজত সঙ্গীতৰ প্ৰচলন বেছি। আজমীৰত ছিষ্টিয়া নামৰ এটা ছুন্নি সম্প্ৰদায় আছে। তেওঁলোকে গীত আৰু নৃত্যৰ সহযোগত ধৰ্ম্মানুষ্ঠানবিলাক সমাধা কৰে। ভাৰতৰ আন আন মুছলমান তীৰ্থস্থান বিলাকতো সঙ্গীতৰ বিপুল আদৰ দেখা যায়। আৰব আৰু আফ্ৰিকা দেশৰ দৰবেছসকলে ধৰ্ম্মমূলক গানৰ তালে তালে নৃত্য কৰে। বিদুষী ডাক্তৰ এনী বেছেণ্টে লিখা হজৰৎ মহম্মদৰ জীৱনীত দক্ষিণ আফ্ৰিকাৰ দৰবেছসকলৰ সঙ্গীতানুৰাগৰ কথা সুন্দৰকৈ বৰ্ণাইছে। সেই দৰবেছ সকলে সঙ্গীতৰ সুৰত ইমান উন্মত্ত হৈ যায় যে সন্মুখ সংগ্ৰামত তেওঁলোকে কামানৰ মুখত সঙ্গীতৰ তালে তালে শত্ৰুৰ হাতত প্ৰাণ দিবলৈ আগ বাঢ়ি যায়।

হজৰৎ মহম্মদৰ সঙ্গীত-প্ৰীতিৰো বহুত প্ৰমাণ পোৱা যায়। তেখেতৰ নিজ ঘৰতে ধৰ্ম্মমূলক আৰু ওখ ধৰণৰ সঙ্গীত গাবলৈ দিছিল। তেখেতৰ জীয়েক ফতিমাৰ শুভবিবাহ উপলক্ষে "দাফ্" বাজনাৰ লগে লগে সঙ্গীত গোৱা হৈছিল। এদিন এটি লৰাই হজৰৎ মহম্মদৰ ঘৰত গান গাওঁতে তেওঁৰ আত্মীয় বিখ্যাত ওমৰ খলিফাই ভাবিলে যে গান শুনিলে হজৰৎ মহম্মদৰ খং উঠিব; গতিকে তেখেতে লৰাটোৰ গান বন্ধ কৰি দিলে। কিন্তু হজৰতে এই কথা গম পাই হাঁহি মুখে লৰাটোক গান গাই থাকিবলৈ কলে। কাব্য আৰু সঙ্গীত দুয়োটোৰে প্ৰতি মহম্মদৰ অনুৰাগ থকাৰ বহুত প্ৰমাণ আছে।

মোগল বাদচাহসকলে সঙ্গীত চৰ্চ্চাত বিশেষ উদ্গনি দিয়া আৰু বহুত ধন ভগন কৰি ৰাজ দৰবাৰত সঙ্গীতাচাৰ্য্য ওস্তাদ সকল ৰখাৰ দৃষ্টান্ত বুৰঞ্জীৰ পাতে পাতে জিলিকি আছে। আকবৰ বাদছাই এই বিষয়ত অগ্ৰগণ্য। তানছেনৰ নিচিনা সুপ্ৰসিদ্ধ সঙ্গীত বিশাৰদে তেখেতৰ পৰা বিপুল উৎসাহ আৰু বিস্তৰ সাহায্য লাভ কৰিছিল। তানছেনে ধ্ৰুপদ গায়কস্বৰূপে জগতবিখ্যাত আছিল। তেওঁ অকল গায়কেই নাছিল, ৰচনা শক্তিও তেওঁৰ প্ৰবল আছিল। তেও ভালেমান ওখ ধৰণৰ ধ্ৰুপদ গান ৰচনা কৰিছিল।

অতীজকালৰপৰা ভাৰত আৰু নানা দেশত মুছলমান সঙ্গীতবিদৰ আবিৰ্ভাৱ প্ৰভাৱ আৰু প্ৰতিপত্তিৰ কথা সকলোৱে জানে। আৰব চাহাৰা আদি মৰুভূমিত উটৰ ওপৰত উঠি যাওঁতে আৰোহীসকলে মধুৰ সঙ্গীত গাই পথৰ ভাগৰ আৰু মনৰ অৱসাদ পাতলাইছিল। পঞ্জাব দেশৰ গোলাম নবী নামৰ এজন প্ৰসিদ্ধ মুছলমান গায়কে পাঞ্জাবী উপভাষাত অতি সুললিত তপ্পা গান ৰচনা কৰি তেওঁৰ প্ৰণয়িনী ছোৰীৰ নামে ভনিতা দি গাইছিল আৰু সেই তপ্পা ছোৰী মিঞা তপ্পা নামে জনাজাত হৈছিল। ছোৰী তপ্পাই সভ্য সমাজত বিপুল আদৰ লাভ কৰিছিল। বৰ্ত্তমান কালতো ভাৰতৰ নামজ্জলা সঙ্গীতজ্ঞৰ ভিতৰত মুছলমান ওস্তাদৰ সংখ্যা বহুত। এনায়ৎখাঁ প্ৰমুখ্যে সঙ্গীতবিদ্ সকল ভাৰতীয় সঙ্গীত authorty ৰ নিচিনা। এনায়ৎখাঁই ছুফিজমৰ বিষয়ে লিখা এখন কিতাপত ভাৰতীয় সঙ্গীতৰ উৎকৰ্ষ গৰিমাৰ বিষয়ে সুন্দৰকৈ আলোচনা কৰিছে।—

১৪ শ শতাব্দীৰ মাজ ভাগত পাঠান বংশীয় সম্ৰাট আলাউদ্দিনৰ ৰাজত্ব কালত গোপাল নায়ক নামৰ এজন বিখ্যাত গায়কৰ আবিৰ্ভাৱ হৈছিল। আলাউদ্দিনৰ দৰবাৰত আমিৰ খশ্ৰু নামৰ এজন সঙ্গীতনিপুণ আৰু সুদক্ষ সুপণ্ডিত মন্ত্ৰী আছিল। আমীৰ খশ্ৰুৰ যত্নতে মুছলমানবিলাকৰ মাজত হিন্দু সঙ্গীতৰ আলোচনাৰ সূত্ৰপাত হয়। তানছেনৰ পিছত দুদিখা, বকছু আৰু সুৰদাসে সুন্দৰ ধ্ৰুপদ ৰচনা কৰিছিল।

ভাৰতীয় সঙ্গীতৰ এটি প্ৰধান ৰাগ "ইমন' পাৰস্য দেশীয় ৰাগ। আমীৰ খশ্ৰুৱে ভাৰতবৰ্ষত ইয়াৰ প্ৰচাৰ কৰে বুলি জনা যায়। তুৰস্কৰপৰাও তুৰস্ক গৌড়ী আদি ৰাগ ভাৰতলৈ অনা হৈছিল।

সঙ্গীতৰ প্ৰধান কাৰ্য্য হৈছে স্মৃতি উদ্দীপনা; গতিকে যি সুৰ শুনিলে অন্তঃকৰণত মহৎ উন্নত, প্ৰশান্ত আৰু বিকট ভাবৰ উদয় হয়, সেই সুৰেই ভক্তি আৰু উপাসনাৰ উপযোগী। শ্ৰৱণেন্দ্ৰিয়ৰ তৃপ্তিসাধন কৰাই সঙ্গীত বিদ্যাৰ ঘাই উদ্দেশ্য নহয়, আৰু হোৱাও অনুচিত। সঙ্গীতৰপৰা মনত বিমল আনন্দ আৰু স্বৰ্গীয় সুখ লাভ

কৰা যায় আৰু মনৰ আবেগ উথলাই প্ৰাণ মুগ্ধ কৰা— সঙ্গীতেই ওখ ধৰণৰ সঙ্গীত।

মানৱজীৱনৰ দৈনন্দিন ঘটনাত সঙ্গীতৰ মহৎ প্ৰভাৱৰ চিনাকী পোৱা যায়। কেচুৱা লৰাই কান্দি কাটি আমনি কৰি থাকিলে এটি শুৱলা নিচুকনি গীতে তাক সান্ত্বনা দিয়ে আৰু লাহে লাহে নিদ্ৰাদেৱীয়ে তাক কোলাত সাৱটি লয়। পথাৰত হালোৱাই হাল বাওঁতে একো ফাঁকি নাম গাই তেওঁৰ দুঃখ ভাগৰ পাতলায়। গৰখীয়া লৰাই দুপৰীয়া ৰদৰ প্ৰকোপত ছাটিফুটি কৰি একোটি প্ৰাণভৰা বিহুগীত গাই প্ৰাণ পুলকিত কৰে। চহা প্ৰেমিক প্ৰেমিকাই স্বভাৱ কবিয়ে ৰচা প্ৰণয় গীতেৰে নিজৰ হিয়াৰ ভাৱ প্ৰৱল কৰে। সংসাৰী মানুহৰ মন নানান প্ৰকাৰৰ চিন্তা ভাৱনাই অধীৰ অস্থিৰ কৰি পেলালে একোটি সঙ্গীতে সকলো বিৰাগ বিষাদ আঁতৰ কৰি কোনোবা স্বৰ্গীয় শান্তিময় ৰাজ্যলৈ লৈ যায়। বিৰহৰ দাৰুণ ব্যথাত প্ৰণয়ী প্ৰণয়িনীৰ প্ৰাণ চাটিফুটি কৰিলে সেই ব্যথাৰ মাজেদি মিলনৰ মধুৰ বাঁহী বাজি উঠে। ঘৰ সংসাৰৰূপী বৃন্দাবনত পৰমাত্মাৰূপী শ্ৰীকৃষ্ণৰ মধুৰ মুৰলীৰ ধ্বনিয়ে ষোল হেজাৰ জীৱাত্মাৰূপিনী গোপিনীৰ মন প্ৰাণ বিমোহিত কৰিছিল।—বাঁহীৰ সুৰত যমুনা উজাই বৈছিল গোপিনীসকলৰ কাষৰ কলহ কাষতে থাকিছিল— মুৰলীধাৰীৰ চৰণত তেওঁলোকৰ জীৱন যৌৱন সকলো সপি দিবলৈ উধাতু হৈ গৈছিল। এই বাঁহী বিশ্বপ্ৰেমৰ বাঁহী, এই বাঁহীৰ সুৰে হিংসা দ্বেষ বিৰাগ বিদ্বেষ কামনা বাসনা সকলোৰে অৱসান কৰি বিশ্বনিয়ন্তা পৰম পিতাৰ চৰণত আত্ম সমৰ্পণ কৰিবলৈ উদগনি দিয়ে।

কীৰ্ত্তনৰ একো ফাঁকি পদ যেতিয়া হৰিভক্তই নিয়ম মতে জাত লগাই গায়, তেতিয়া হৃদয় ভক্তিৰ ৰসেৰে ভৰপূৰ হয়। নামঘোষা শুৱলা সুৰেৰে পাঠ বা আবৃত্তি কৰিলে আৰু তাক কাণ পাতি শুনিলে মৰ্ত্ত্যৰ জঞ্জালৰপৰা এখনি অতি উচ্চ, অতি উন্নত ভাবৰাজ্যলৈ দেহ-মন উৰি যায় আৰু দুগালেদি ভক্তি অশ্ৰু বাগৰি পৰে। আমাৰ মহাপুৰুষে প্ৰৱৰ্ত্তন কৰা নাম প্ৰসঙ্গ কেনে গহীন, কেনে গভীৰ! দিহানাম হিৰানাম আদি যিবোৰ বস্তু আজিকালি পাশ্চাত্য সভ্যতাত অন্ধলা হৈ আওহেলা কৰিছোঁ—জনা-বুজা লোকে সুন্দৰকৈ গালে ভক্তহিয়া আনন্দত নাচি উঠে। সংকীৰ্ত্তনৰ খোল মৃদঙ্গৰ ৰোলত বঙ্গদেশৰ বৈষ্ণৱ সকল আপোন পাহৰা হোৱা দেখা যায়। চিকিৎসা বিজ্ঞানৰ বিশ্ববিশ্ৰুত পণ্ডিত সকলে চিকিৎসা বিষয়তো সঙ্গীতৰ আৱশ্যকতা উপলব্ধি কৰি ৰোগীৰ ৰোগ আৰু যন্ত্ৰণাৰ উপশমৰ অৰ্থে চিকিৎসালয় বোৰত সঙ্গীত বাদ্যৰ দিহা দিছে। শাৰীৰিক উৎকৰ্ষ সাধনতো সঙ্গীতৰ আৱশ্যকতা উপলব্ধি কৰি অৰ্কেষ্ট্ৰা বেণ্ড আদিৰ আশ্ৰয় আৰু মিউজিকেল ড্ৰিল আদিৰ প্ৰৱৰ্ত্তন কৰা হৈছে। জাতীয় জাগৰণত সঙ্গীতৰ প্ৰভাৱ বৰ বেছি। একোটি জাতীয় সঙ্গীতে একোটী জাতিৰ মুমূৰ্ষু প্ৰাণত সঞ্জীৱনী শক্তি দিয়ে। বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ দ্বিজেন্দ্ৰলাল, অতুলপ্ৰসাদ, মুকুন্দদাস আদি কবিসকলৰ জাতীয় গীতবিলাকে বঙ্গালী জাতিৰ প্ৰাণত বিজলী সঞ্চাৰ কৰি নতুন প্ৰেৰণা দিছে। ৰণক্ষেত্ৰত ৰণবাদ্য আৰু সঙ্গীতে সৈন্যসকলক সন্মুখ সংগ্ৰামত প্ৰাণ দি স্বদেশৰ গৌৰৱ মৰ্য্যাদা, আৰু স্বাধীনতা ৰক্ষা কৰিবলৈ নথৈ উদগনি দিয়াৰ দৃষ্টান্ত সকলো জাতিৰ বুৰঞ্জীত জিলিকি। আছে সকলো জাতিৰে এবিধ নহয় এবিধৰ সঙ্গীত আছে। যিবিলাক জাতি এতিয়াও বৰ্ব্বৰ অৱস্থাত পৰি আছে তেওঁলোকৰ মাজতো আদিম ধৰণৰ গীত, বাদ্য, নৃত্য আদিৰ প্ৰচলন দেখা যায়। নিগ্ৰো ৰেড্ ইণ্ডিয়ান্ নগা, আবৰ দফলা আদি জাতিৰ মাজত সুকীয়া সুকীয়া নাচ, গান, বাজনা চলে। জাতীয় উন্নতিৰ লগে লগে সঙ্গীত বিষয়তো উন্নতি দেখা যায়। সঙ্গীত যে মানৱ সমাজ সৃষ্টি হবৰে পৰা আনকি ভাষা বা সাহিত্য সৃষ্টিৰো পূৰ্ব্বেই প্ৰচলিত আছে এই কথা উনুকিৱা হৈছে। অতীজতে যেতিয়া আৰ্য্যজাতি একেলগে আছিল তেতিয়া তেওঁবিলাকৰ মাজত ওখ ধৰণৰ সঙ্গীত আছিল। আৰ্য্য সভ্যতাৰ সোঁত যেতিয়া ভাৰতলৈ আহিল সেই সোঁততে প্ৰাচীন কাব্য নাট্য, চিত্ৰ সঙ্গীত ভাস্কৰ্য্য আদিও আহিছিল আৰু তাৰ নিদৰ্শন বুৰঞ্জীবিদ আৰু প্ৰত্নতাত্ত্বিকসকলে বঢ়িয়াকৈ দেখুৱাইছে। ভাৰতীয় হিন্দু সঙ্গীততে অতি

অতীজত সঙ্গীত চৰ্চ্চা

ওথ ধৰণৰ, এই কথা পাশ্চাত্য পণ্ডিত সকলেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। বৈদিক জ্ঞানৰ পৰা লৌকিক গান হৈছে আৰু আদিমকালৰ ত্ৰৈস্বৰ্য্য গানৰ উন্নতি ঘটি ক্ৰমে উনবিংশ স্বৰত পৰিণত হৈছে। আন্ আন্ শাস্ত্ৰৰ দৰে সংস্কৃত শাস্ত্ৰতো ভালেমান গ্ৰন্থ প্ৰাচীন কালত ৰচিত হৈছিল। ভৰত, নাৰদ, হনুমান, এওঁলোক আদি শাস্ত্ৰকাৰ আৰু মত সংস্থাতা। কিন্তু এওঁলোক ৰামায়ণৰ ভৰত হনুমান বুলি ঠাৱৰাই কোৱাটো ধৃষ্টতা হব। এওঁলোক অতি প্ৰাচীন কালৰ, অৱশ্যে ৰামায়ণৰ যুগৰ পিছৰ শাস্ত্ৰকাৰ আৰু মত সংস্থাতা।

সঙ্গীত-নিৰ্ণয়, সঙ্গীত দৰ্পণ, সঙ্গীত দামোদৰ সঙ্গীত ৰত্নাকৰ, সঙ্গীত পাৰিজাত সঙ্গীত ৰত্নাবলী ৰাজা বিবোধ ৰাগ সৰ্ব্বস্বাৰ, ৰাগাৰ্ণৱ, নাৰদ সংহিতা ধ্বনি মঞ্জৰী প্ৰভৃতি হিন্দু সঙ্গীত সম্পৰ্কীয় ভালেমান সংস্কৃত গ্ৰন্থ থকা বুলি জনা যায়। তাৰে ভিতৰত কেইবাখনো হাতেলিখা অৱস্থাতে আছে। কিন্তু এই গ্ৰন্থবোৰৰপৰা আগৰ কালৰ হিন্দুসকলে কি প্ৰণালীত গীত বাদ্য আদি কৰিছিল; তাক বিশদৰূপে জনা নাযায়। প্ৰকৃত স্বৰলিপিৰ অভাৱত প্ৰাচীন কালৰ গান, গত জনা টান। এইবোৰত যাইকৈ গানৰ উৎপত্তিৰ কথাহে আছে। এই বোৰৰ আগেয়ে ওপৰত উল্লেখ কৰাৰ নিচিনা আন্ আন্ সঙ্গীত বিষয়ক গ্ৰন্থ নিশ্চয় আছিল। সি যি নহওক, প্ৰাচীন ভাৰততযে সঙ্গীতৰ নিয়মিতৰূপে চৰ্চ্চা আৰু আলোচনা হৈছিল আৰু নানান জাতিৰ সমাগম আৰু কৃষ্টিৰ সংযোগতযে ভাৰতীয় নানান্ ৰাগ ৰাগিণীৰ সৃষ্টি হৈ ভাৰতীয় সঙ্গীত উন্নতিৰ ওখ টাঙলৈ গৈছিল, সেই বিষয়ে সন্দেহ নাই। শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ ভাঙৰীয়াই তেখেতৰ "অসমীয়া সুৰ পৰিচয়" নামৰ বহু মূলীয়া গ্ৰন্থত লিখিছে যে ভাৰতীয় সঙ্গীতৰ জন্মকাল স্থিৰ কৰা বৰ টান। পণ্ডিতসকলে বহুত প্ৰত্নতত্ত্ব সমালোচনা কৰি সিদ্ধান্ত কৰিছে যে আৰ্য্যৰ ছয় ৰাগ ছয়ত্ৰিশ ৰাগিণী আৰু প্ৰায় ৩৬০ টা উপৰাগিণী সামবেদৰ সমসাময়িক অৰ্থাৎ খৃষ্টজন্মৰ প্ৰায় তিনি হেজাৰ বছৰৰ আগৰ। ভাৰতৰ আদিম নিবাসী সুসভ্য অনাৰ্য্য সকলৰ ঔপনিবেশিক হুন্, শক, পাৰ্চী সকলৰ আৰু দিগ্বিজয়ী গ্ৰীক্ সকলৰ সুৰৰ সংমিশ্ৰণতো প্ৰায় তিনি হেজাৰমান মিশ্ৰ ৰাগিণী উৎপন্ন হৈছে। মুছলমানৰ ৰাজত্বৰ সময়তো পাৰস্য, আফ্গানিস্থান, তুৰ্কীস্থান আদি দেশৰ ৰাগ-ৰাগিণী মিহলি হৈ ভাৰতীয় সঙ্গীতৰ কলেৱৰ পুষ্ট কৰিছে। ইংৰাজ ৰাজত্বৰ সময়তো য়ুৰোপীয় সঙ্গীতৰ কিছুমান সুৰ ভাৰতীয় সঙ্গীতত সোমাই আমাৰ কলাবিদ্যাক চহকী কৰিছে। এই আটাইবোৰ ৰাগৰাগিনী-উপৰাগিনী মিশ্ৰ-ৰাগিনী লৈয়েই ভাততীয় আৰ্য্য সঙ্গীত। ছটা ৰাগত বাজে কোনটো ৰাগিণী কোনটো উপ-ৰাগিণী বা মিশ্ৰৰাগিণী বা কোনটো নিভাঁজ আৰ্য্য সঙ্গীত তাক বাছি উলিৱা অসম্ভৱ।

অসমমত আৰ্য্যসভ্যতাৰ প্ৰভাৱ যথেষ্টৰূপে পৰাটো প্ৰত্নতাত্ত্বিকসকলে সুন্দৰকৈ প্ৰতিপন্ন কৰিছে। গতিকে প্ৰাচীন কামৰূপ ৰাজ্যতো ভাৰতীয় আৰ্য্য সঙ্গীতৰ চৰ্চ্চা আৰু প্ৰচলন থকাটো ধ্ৰুৱ সত্য বা Axiomatic truth বুলি ধৰি লব পাৰি। বৰদলৈ ডাঙৰীয়াই অসমৰ চলিত ৰাগ আৰু সুৰ বিলাকৰ আলোচনা কৰোতে সময়ানুক্ৰমিক মতে তিনি ভাগত বিভক্ত কৰিছে:—আদিম সুৰ (শঙ্কৰী যুগৰ পূৰ্ব্বৰ) যেনে—বিহু নাম, বিয়া নাম, শুক নাৰায়ণী, দুৰ্গাবৰী। (২) শঙ্কৰী যুগৰ সুৰ—শঙ্কৰী কীৰ্ত্তন, দেহ বিচাৰ, ব্যাহ, ৰাগ গোপিনী নাম, আই নাম, ভাৱৰীয়া বা বহুৱা গীত, নটৰ গীত, আৰু বৰগীত। (৩) আধুনিক—খেয়াল, টপ্পা, গজল, ভজন, বঙ্গালী কীৰ্ত্তন, নাট্য সঙ্গীত ইত্যাদি।

পুৰণি অসমত সঙ্গীত চৰ্চ্চা

বৰদলৈদেৱৰ মতে বিহুনাম অসমৰ আটাইতকৈ পুৰণি অনাৰ্য্য সুৰ। ইয়াৰ সুৰ নিভাঁজ বড়ো। শদীয়াৰ পৰা ভাটী ৰংপুৰলৈকে বিৰাট বড়ো জাতিৰ বেলেগ বেলেগ ভাষাৰ সুৰৰ অলপ মাথোন উনৈশ বিশকৈ এই বিহুগীত প্ৰচলন। এই বিহুনামৰ প্ৰায় বিশ্ পচিশ্ ৰকমৰ স্বজাতীয় সুৰ আছে। ইয়াৰ আনুসঙ্গিক যন্ত্ৰ—ঢোল, পেঁপা, কৰতাল, টকা আৰু জগ্ৰং। বিহুনামৰ দৰেই অসমৰ বিয়ানাম বহুপুৰণি বড়ো জাতীয় মানুহৰ মাজত

প্ৰচলন। অসমীয়া হিন্দুৰ বিয়ানাম বৰদলৈৰ মতে উৰিষ্যাৰ লাউনী, বিহাৰ, উত্তৰ পশ্চিম প্ৰদেশৰ চৈত্তী কাহৰী, সুৰৰ লগত কতকাংশে মিলে। তেখেতে অসমীয়া হিন্দুৰ বিয়া নামৰ সুৰক আৰ্য্য বড়ো জাতীয় আখ্যা দিছে। বিয়া নামৰ সৰহভাগ মাইকী মানুহৰ মুখে মুখে ৰচিত হোৱা আৰু মুখে মুখে বন্ধা। বৰদলৈ ডাঙৰীয়াৰ প্ৰতি যথেষ্ট সম্মান দেখুৱাই কওঁযে বিহু আৰু বিয়ানাম বড়ো জাতীয় বুলি কোৱাটো কিমান ঠিক সেই বিষয়ে আমাৰ খুকুৰি গুচা নাই। আমাৰ মনেৰে হলে এই বিলাক বড়ো জাতীয় নুবুলি নিভাঁজ অসমীয়া সুৰ বুলি ধৰি ললেই উদ্দেশ্য সাধিত হব। কিয়নো, অকল বড়ো জাতীয় নালাগে আন জাতীয় লোকৰ মাজতো প্ৰাচীন কালৰপৰা সেই গীত নাম বিলাক চলি থকাৰ প্ৰমাণ পোৱা যায়।

(১) ক—শুকনাম্নী, শুক নাৰায়ণী সুৰ বৰদলৈৰ মতে বহুত পুৰণি সুৰ। শঙ্কৰী যুগৰ প্ৰায় এক শতাব্দী আগৰ পৰাই ই চলিত হৈ আহিছে। পদ্ম পুৰাণৰ অন্তৰ্গত বেহুলা মহাসতীৰ সাহিত্য লৈয়েই সুকবি নাৰায়ণ দেৱে এই গীতি-কাব্য ৰচনা কৰে। তেওঁৰ জন্মস্থান হাজোৰ ওচৰৰ বিজুলীবাৰী গাঁৱত আছিল। আজিলৈকে দৰং কামৰূপ, গুৱালপাৰা জিলাৰ বহুত ঠাইত বিষহৰি, মনসা বা মাৰৈ পূজাৰ উপলক্ষে খুটিতাল সহোযোগত ওজা-পালিৰ তিনদিনীয়াকৈ নানা ৰকমৰ মনোমোহা ছন্দ, আৰু সুৰত গাই শ্ৰোতা সকলৰ মন মুহিব লাগিছে। এই শুক-নাৰায়ণী নামৰ লগত একো গৰাকী দেওধনীয়ে নাচে। কোনো কোনো মানুহে বিষহৰী বা মনসা দেৱীৰ উদ্দেশ্যে নিজৰ একোজনী ছোৱালী উছৰ্গা কৰে। উছৰ্গাৰ দিনাৰ পৰাই সেই ছোৱালীজনীক সকলোৱে দেৱতাৰ দৰে ব্যৱহাৰ কৰে। আৰু ওচৰৰ কোনো এজন শুকনাম্নী ওজাই সুৰে-তালে নাচিবলৈ শিকায় নাচোনত উঠিলে বা পাকৈত হলে সেই ছোৱালীক বাপেকে বা অভিভাৱকে ষোড়ষপচাৰে মনসা দেৱীৰ পূজা কৰি পূজাৰ দিনাই দেওধনীক মেলানি দিয়ে। সেই দিনাৰ পৰা বিবাহৰ বা মৰণৰ দিনলৈকে দেওধনী ঘৰৰপৰা ওলাই স্বাধীনভাৱে নাচিবলৈ ধৰে। কিছুমান দেওধনী চিৰকুমাৰী হৈয়েই থাকে কিছুমানে আকৌ শেহত বিবাহাদি কৰি ঘৰ সংসাৰাদি কৰে।

১ (খ) শঙ্কৰী যুগৰ অলপ আগতে হাজোৰ ওচৰৰ এখন গাঁৱত দুৰ্গাবৰ কায়স্থৰ জন্ম হয়। তেওঁ মাধৱকন্দলিৰ ৰামায়ণতকৈ সুকীয়া ছন্দত, সুকীয়া ভাষাৰে নতুন ৰকমৰ ঘোষাৰ সহযোগ কৰি সুললিত সুৰেৰে সেইবোৰ গাইছিল। সেই বিলাক সুৰ দুৰ্গাবৰী বুলিয়েই প্ৰখ্যাত। দৰং আৰু কামৰূপত সেইবিলাক ৰাম কৰতাল আৰু খঞ্জৰীৰ লগত গোৱা যায়।

২ (ক) শঙ্কৰী কীৰ্ত্তনৰ সুৰ অসমীয়াৰ নিভাঁজ নিখুঁত, নিজস্ব। কীৰ্ত্তনৰ টোটয়, চপয়, ভটিমা, পদ ছবি, দুলড়ী, লেছাৰী, নামছন্দ শৰণছন্দ—এই বিলাক বৰদলৈৰ ভাষাত কবলৈ হলে অসমীয়াৰ হাৰ-হিমজু—জীৱন-মৰণৰ নিত্য সহচৰ। এই আটাই বোৰ সুৰেই আৰ্য্যজাতীয় শ্যাম, আহিৰ ভাটিয়ালী গৌৰসাৰঙ্গ, তুস্ক কীৰ্ত্তন আদি ৰাগিণীৰ অসমীয়া সাজেৰে সজ্জিত মূৰ্ত্তি।

২ (খ) শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ গোপালদেৱ, অনিৰুদ্ধদেৱ অতি মহাপুৰুষ সকলৰ পুথিৰ পদৰ আৰু অন্যান্য বহুত অজ্ঞাত কবি সকলৰ পদ, দুলড়ী, ছবি, লেছাৰী, ছন্দত ৰচিত বহুত ৰকমৰ সুৰ সহযোগ কৰি বিশেষকৈ অসমৰ পূৰ্ণধৰীয়া সম্প্ৰদায় আৰু কামৰূপ দৰং জিলাৰ সৰ্ব্ব সাধাৰণৰ মাজতো দেহবিচাৰ গীতৰ প্ৰচলন আছে। এই গীতবিলাক শঙ্কৰী কীৰ্ত্তনৰ নিচিনা অসমৰ নিজস্ব।

২ (গ) ব্যাহ-গীত বা ব্যাস গীত—দৰঙৰ শিৱবংশী ৰজা সকল, তেখেত সকলৰ প্ৰাতঃস্মৰণীয় পূৰ্ব্বপুৰুষ শ্ৰীমল্লদেৱ নৰনাৰায়ণৰ নিচিনাই বিদ্যানুৰাগী আৰু বিদ্যোৎসাহী আছিল। সেই ৰজা সকলৰ অনুৰাগ আৰু উৎসাহত অসমীয়া মহাভাৰত, উপভাৰত, আদি বিৰাট আকাৰৰ মহাকাব্য বহুতো ৰচিত হয়। তেওঁ লোকৰ ৰাজ সভাতেই মহাকাব্য নানাৰূপ সুৰ, তালেৰে গোৱাও নৈছিল। সেই বিলাক ৰাগ সুৰ তাল যোজনা কৰি গাবলৈ

ৰজাসকলে কিছুমান দৈৱজ্ঞ ব্ৰাহ্মণক ব্ৰহ্মোত্তৰাদি দি গুৰুমাদ্ৰক্ৰমে ৰাজ সভাত ৰাখিছিল।

২ (ঘ) বহুৰা বা ভাৰৱীয়া গীত। লিখা-পঢ়া নজনা বা সামান্য লিখা-পঢ়া জনা গাঁৱলীয়া কবি সকলৰ মুখে মুখে ৰচিত। ব্যঙ্গ বহুত বা কেতিয়াবা কেতিয়াবা বুৰঞ্জীমূলক কথাৰ আহিলা লৈ এইবিধাক গীত ৰচিত হৈছিল।

২ (ঙ) নটৰ গীত। ওত্তাহাটীৰ উমানন্দ, শিৱ, হাজোৰ হয়গ্ৰীৱ মাধৱ, ডুবিৰ স্বয়ম্ভু সিংহ, দেৱগাঁৱৰ শিৱ—এই সকল মূৰ্ত্তিৰ পূজা-আৰতিৰ সময়ত দেবদেবী বিষয়ক গীত গাই নাচিবলৈ কিছুমান গন্ধৰ্ব্ব ক্ষত্ৰিয় বা নট কলিতা জাতিৰ উচ্চশ্ৰেণীৰ শূদ্ৰক কোচ আৰু আহোম ৰজা সকলে ভাটীৰ নানান ঠাইৰপৰা অনাই দেৱালয়বোৰৰ ওচৰত মাটি বৃত্তি দি বহৱাইছিল। এই গন্ধৰ্ব্ব বা নট জাতীয় মুনিহ তিৰোতাই মৃদঙ্গ, নাগৰা, পাতিতাল, খুটিতাল, টোকাৰী, দোতাৰা আদি যন্ত্ৰৰ সাহায্যত উল্লিখিত দেৱ-মন্দিৰবিলাকত নানাৰূপ সুৰ তালেলে নৃত্য-গীতাদি কৰিছিল। বিষ্ণুহ নাগী বঙ্গা সকলৰ সাহায্য আৰু উৎসাহত এই গীতেও অসমৰ তথা ভাৰতীয় নৃত্য গীত নৃত্য কলাৰ সঙ্গত ওখ ঠাই পাইছিল। অসমৰ আকবৰ পৰম বিদ্বোৎসাহী কন্দৰ্পসিংহ স্বৰ্গদেউৰ জনদিয়েক অসমীয়া ডাঙৰীয়াৰ লগত কিছুমান নটনটী ভাটী দেশলৈ পঠাই বহুত ওখ ধৰণৰ সুৰ শিকাই ৰাজসভাত পাতিছিলহি। স্বৰ্গদেউ কন্দৰ্পসিংহৰ সঙ্গীতৰ প্ৰতি প্ৰৱল অনুৰাগ আছিল আৰু নিজে চুংগী গজল, টপ্পাৰ ভালেমান গান ৰচনা কৰি প্ৰজাৱন্দক উৎসাহ দিছিল। তেখেতৰ গোটা দিয়েক গান ৺হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই 'ধাৰী'ত প্ৰকাশ কৰিছিল। বিশেষকৈ তাৰ এটি গীতত স্বৰ্গদেউৰ কবিত্ব শক্তি আৰু সৌন্দৰ্য্য বোধ সুন্দৰকৈ ফুটি উঠিছে। কন্দৰ্পসিংহ মহাৰাজৰ সুযোগ্য পুত্ৰ শিৱসিংহ প্ৰমত্তসিংহ আৰু ৰাজেশ্বৰ সিংহ স্বৰ্গদেউৰে খেয়াল টপ্পাৰ শক্তি বিষয়ক গীত ৰচনা কৰিছিল। ৰৱৰদৈ ডাঙৰীয়াই ঠিকেই কৈছে:—ৰজা সকলৰ পতনৰ লগে লগে অসমৰ ধৰ্ম্মৰ আৰু সমাজৰ বান্ধনিও ঢিলা হৈ আহিল। তাৰ লগে লগে ধৰ্ম্ম ভাবহীন সামাজিক শাসনহীন গায়ক আৰু নৃত্য গীতৰ যেনে অৱস্থা হয় অসমত নট নটি আৰু নট গীতবো তেনে শোকলগা অধঃপতন হল। মহাভাৰত যুগৰ আৰ্য্য আৰু অনাৰ্য্য আখ্যাৰ প্ৰতিশব্দ নট নটী এই দুবাৰ কথা ঘুনিত ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু ষড়ংবেদাঙ্গৰ অন্তৰ্গত নৃত্য গীত কলা বিদ্যাত্মক গন্ধৰ্ব্ব বেদ অসমত লোপ পালে। বেদাঙ্গৰ অধিকাৰী গন্ধৰ্ব্ব বা নট আৰ্য্য সকলৰ চিন লাহে লাহে অসমত নাইকিয়া হৈছে। গন্ধৰ্ব্ব বোৰ পুৰণি অসমীয়া নাম আছিল। নট বিদ্যা এতিয়া নট বিদ্যা বুলিলে কি বুজায় সেই বিষয়ে অসমীয়াক নকলেও হব।

২ (চ) ভাৱতৰ আন আন প্ৰদেশৰ নিচিনাকৈ অসমত সাধুকথাৰ গীতৰ বহুল প্ৰচলন আছিল সেই গীত বিলাক সাহিত্য ভৱাদৰ্শ জাতীয় আৰু আপুৰুগীয়া সম্পত্তি।

২। (ছ) শ্ৰীমন্ত শঙ্কৰদেৱে বাৰজন, প্ৰতিভাৱ অনন্য মূৰ্ত্তিক্ষণ পৰম বৈষ্ণৱ শিষ্যৰে দ্বিতীয় বেলি বাৰ বহুৱা তীৰ্থ কৰি অসমলৈ ৰৱগীত ৰূপী অমূল্য সম্পদ আনে আৰু সুযোগ্য শিষ্য ধৰ্ম্মৰ উত্তৰাধিকাৰী মহাপুৰুষ মাধৱদেৱৰ আৰু অনান্য প্ৰতিভাশালী শিষ্য সকলেৰে সংস্কৃত ব্ৰজাৱলী বা ব্ৰজবুলি আৰু অসমীয়া ভাষাত হেজাৰতকৈও সৰহ ৰৱগীত কৰি থৈ গৈছে। শ্ৰীশঙ্কৰে নিজে ওজা মহাপুৰুষ মাধৱদেৱ মৃতঙ্গবাদক আৰু প্ৰধান পালি ৰামৰায় শুক্ক মন্দিৰবাদক হি প্ৰায় ত্ৰিশ বছৰ কাল অসমত এই মহতী কলা বিদ্যাৰ অনুশীলন কৰে, ভগৱন্তৰ প্ৰকৃষ্ট বিকাশ প্ৰতিভাৱ অলন্ত অৱতাৰ শুক্ক সকলৰ বহুদিন ব্যাপী সাধনাৰ ফলত এই সঙ্গীত মুকটমণি ৰৱগীতৰ সৃষ্টি। ৰৱগীতবোৰ ধ্ৰুপদ ৰেৱাল মিশ্ৰিত আৰ্য্য ৰাগিণী বুলি ৰৱদৈ ডাঙৰীয়াৰ মত। এই উচ্চতম গীত আজিকালি কতো নিয়মমতে গোৱা নোহোৱাত তেখেতে দুঃখ প্ৰকাশ কৰে।

মহাপুৰুষ শঙ্কৰদেৱৰ উদাৰ ভাগৱতী ধৰ্ম্মৰ প্ৰৱৰ্ত্তন আৰু প্ৰচাৰ কৰিবৰ অৰ্থে সঙ্গীত আৰু নাটাৰ সহায়

লৈছিল। ৰৱগীতৰ বাহিৰেও নানান প্ৰকাৰৰ বাদ্যযন্ত্ৰৰ প্ৰচলন তেখেতেই প্ৰথমতে কৰে। মাধৱ—শঙ্কৰ দুয়ো গুৰাকী হৰিহৰাত্মাই সঙ্গীতৰ মধুৰ ধ্বনিৰ মাজেদিয়েই অনাচাৰ ব্যাভিচাৰ কপটতা ভণ্ডামি আদিৰে ভৰা সেই কালৰ অসমীয়া সমাজত ধৰ্ম্মৰ সোঁতবোৱাই দিলে আৰু অসমীয়া আতিৰ মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰি নতুন সঞ্জিৱনী মন্ত্ৰেৰে দীক্ষিত কৰিলে।

শঙ্কৰ মাধৱে সুললিত তানে ধৰ্ম্ম অমিয়া বিলালে,
গালে টোটয় ভটিয়া, চুলড়ী, লেছাৰী বিবিধ ছন্দে,

বঙ্গালী কীৰ্ত্তন বঙ্গালী জাতিৰ ভাৱ গতি প্ৰতিভাৱ উপযোগী। কিন্তু শ্ৰীশঙ্কৰে অসমীয়া জাতীয় বৈশিষ্ট্যৰ লক্ষ্য ৰাখি বেদ বেদান্ত ভাগৱতৰ গভীৰ আধ্যাত্মিক তত্ত্ববিলাক সহজ ভুৰুলা অসমীয়ালৈ ভাঙনি কৰি গহীন গভীৰ সুৰ সংযোগ কৰি কি যে আমাত্মিক কাৰ্য্য সাধন কৰিলে তাক আজি অসমীয়াক বহলাই কব লগাগে। অঙ্কীয়া নাট আদি ৰচনা কৰি ভাৱনা আদিৰ প্ৰৱৰ্ত্তন কৰি, ধৰ্ম্মমূলক কাহিনী বিলাক হেজাৰ হেজাৰ নৰ নাৰীৰ আগত দাঙি ধৰি আমোদ ছলেৰে ধৰ্ম্ম শিক্ষা বিলোৱাৰ সুন্দৰ ব্যৱস্থা কৰিছিল।

ৰৱৰদৈ ডাঙৰীয়াই অসমীয়া বাদ্যযন্ত্ৰৰ বিষয়েও তেখেতৰ সুৰ পৰিচয়তে বহলাই আলোচনা কৰি সেই যন্ত্ৰবিলাকৰ চিত্ৰ সন্নিৱিষ্ট কৰি মাৰো অসমীয়া জাতিৰ কৃতজ্ঞতাভাজন হৈছে। তেখেতে কৈছে:—আৰ্য্য বড়ো বড়ো-আৰ্য্য সুৰ তালত অসম যেনেকৈ চহকী তেনেকৈ বড়ো আৰ্য্য বাদ্যযন্ত্ৰ সম্পন্ত অসম ভাৱতৰ আন আন প্ৰদেশতকৈ পাছ পৰি থকা নাছিল।

ভাৱতৰ সাৰ্ব্বজনীন বাদ্যযন্ত্ৰ বীণা ৰবাব, শৰদ, শাৰেঙ্গী, ছেতাৰ, এসৰাজ তবলা আদি বাদ দিলেও অসমৰ নিজাঁজ অসমীয়া যন্ত্ৰৰ অসম দেশ এতিয়াও ভাৱতৰ অগণী। পুৰণি অসমত বহুত আৰ্য্য বড়ো যন্ত্ৰৰ ব্যৱহাৰ আছে। দুখৰ বিষয় তাৰে ভালেমানৰ নামো অসমীয়াই পাহৰি গৈছে। শিৱপুত্ৰ কামৰূপেশ্বৰ বিশ্বসিংহৰ দিনত আৰু তেওঁৰ বংশধৰ পৰৱৰ্ত্তী মহা ৰাজ সকলৰ বহুত দিনলৈকে এই যন্ত্ৰবিলাকৰ প্ৰচলন আছিল।

গীত

—শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা বি-এল

বিকশিছে মোৰ হৃদি কাননত
কোমল কুসুম ৰাজি।
উঠিছে উথলি
মোৰ প্ৰাণ মৰমীত
শুদ্ধ বাসনা জাগি ॥
দূৰ গগনৰ শুভ্ৰ নীলিমা
স্নিগ্ধ মাধুৰি ঢালে।
মোৰ মানসী পটৰ স্বৰ্গ প্ৰতিমা
আৱৰে কিৰণ জালে ॥

দিগন্তৰ মালা পিন্ধিছ প্ৰকৃতি
দিব্য মুকতি ধৰি!
মোৰ মনমন্দিৰৰ কদ্ধ দুৱাৰ
ৰাখিছোঁ মুকলি কৰি ॥
শান্ত সুৰৰ তীব্ৰ বেদনা
জাগিছে প্ৰাণত আজি।
মোৰ যজ্ঞবেদীত উঠিছে মৃদঙ্গ
মন্ত্ৰ মধুৰে বাজি ॥

জোনোৱালী *

—শ্ৰীযুত কমলেশ্বৰ চলিহা

সৃষ্টিত যিবোৰ কথা আকস্মিক আৰু বহস্য পূৰ্ণ সেইবোৰতে মানুহৰ কৌতুহল। দূৰৰ আকাশত যদি এটা পলীয়া-তৰা খহি পৰিল, মাটিত ভৰদি থাকোঁতে যদি পৃথিবীখন ঘৰিবলৈ ধৰিলে, খস্তেকৰ কাৰণে হলেও আমি বিস্মিত হওঁ। বাহিৰ প্ৰকৃতি অন্তৰ প্ৰকৃতি কতো এই বিস্ময়ৰ ওৰ নাই। বাহিৰৰ কথা যেনেকৈ ধৰা পৰে বাহিৰত, অন্তৰ ধৰা পৰে সেইদৰে সাহিত্যত। মধুৰ বা সুন্দৰৰ যি গৰাকী লক্ষ্মী অন্তৰত সদায় থাকে, তেওঁৰে স্পৰ্শ আমি সাহিত্যত পাওঁ। 'জোনোৱালী' এই শ্ৰেণীৰ সাহিত্য।

মানুহৰ মৰ্ম্মত যিটো বাণী সেইটো সাত ৰঙেৰে বঞ্চিত হয়। ৰামধেনু চিৰিঞ্জৰ প্ৰথম দৰশন এই 'জোনোৱালী' অস্ত সূৰ্য্যৰ ম্লানিমাত'ওলোৱা দ্বিতীয়াৰ জোনৰ কুশ-কিৰণ হলেও সেই জোনাকৰ মহিমা পূৰ্ণিমাতকৈও বেছি। অসম পাৱলিঙিং হাউচে অসমীয়া সাহিত্যত চিৰকলীয়া শৰৎ আৰু বসন্তৰ জোনাকে আনি দিব পাৰিব বুলি আমি এই প্ৰথম পাতনিতে কব পাৰিছোঁ।

অসমীয়া সমাজৰ কেইবাটাও সমস্যা দহোটা দীঘল আৰু ছুটি গল্পেৰে ভূষাদেবে বাইজৰ আগত ডাঙি ধৰিছে।প্ৰত্যেকটোকে সম্পূৰ্ণ আৰু স্বাভাৱিক আকাৰেৰে। পঢ়ি যাওঁতে আমাৰ মুখৰ ৰবণ ক্ষণে ক্ষণে সলনি হৈ যায়, কিতাপ কোলাত লৈ আমি ভোক আৰু টোপনি পাহৰি যাওঁ, আমি মনোৰাজ্যৰ ৰংঘৰ, কৰেংঘৰ, তলাতল ঘৰৰ দুৱাৰে দুৱাৰে ভমুকি মাৰো।

গল্পত আমি কি পাওঁ যে গল্পই আমাক ইমানে আকৰ্ষণ কৰে?] পাও আমাৰ নিজৰ মনৰ ছবি। সেই কাৰণে ভাল লাগে, আৰ্চিত নিজৰ মুখ চাই ভাল পোৱাৰ দৰে।

"ভছ্ ভছ্ কৰি শেহ ৰাতি ই-বি ৰেইলৱেৰ এক্সপ্ৰেছ্ গাড়ী বনগাই গাওঁ ষ্টেচনত বলহি।" ইয়াত কাৰ কিমান আশা-নিৰাশাৰ কথা আছে কোনে জানে? বেলৰ উকি, তাৰ বৈজ্ঞানিক যন্ত্ৰ-পাতি নিচুৰ কঠিন সঁচা, কিন্তু সি কিমান ঘৰ পাতে সি কিমান ঘৰ ভাঙে। কিমানৰ তাত আনন্দ কিবিলি, বং বং, কিমানৰ বা হিয়াভঙা বেজাৰ, যাৰ প্ৰত্যেক মুহূৰ্ত্ত পোৱাকইবাৰ ওড়িবোৱৰ দৰে ভীৰণ। ইয়াৰ মাজতে ফোলাগ ফুল পাহৰ দৰে ৰবণৰ, কণপী গাভৰু তিকতাৰ অহা যোৱা। কোনোবাই ভবিত চেন্দেল্ পিন্ধি ওবণী মোকোলাই পেলাইছে কোনোবা পুকুৰ বা আকৌ ভয়াভুৰ। বেলৰ চকাৰ দৰে জীৱনৰ চকা চলি যায় চেকেণ্ড, মিনিট আৰু ঘণ্টাকৈ। ইয়াৰ মাজতেই ঘটে 'বিচ্ছেদ' বিৰোধ আৰু মিলন।

দেশী-বিলাতী ছবিধ ৰ'মান্স মাজেদি ভূষাদেৱৰ কলম চলি গৈছে ঠিক ধনশিৰি নৈ ধনৰ দৰেই গাওঁ-ভূই আৰু নগৰ-চহৰৰ ইটা আৰু মাটিৰ বুকু ভেদ কৰি। ক'ৰবাত তাৰ পাৰত বাজিছে বেহেলা চেতাৰ; আৰু ক'ৰবাত মহৰ পিঠিত উট আহিছে বিহু-গীত আৰু ক'ৰবাত বা টকা-পেপা।

"এইদৰে মাহৰ পাছত মাহ গৈ আথোন পালেহি। এই কেইমাহত কত জোনাক, কত পূৰ্ণিমা; চেনাইইতৰ গাৰ্ত্তত কত বিয়া, কত সবাহ হৈ গল।" কিন্তু চেনাই আৰু কেতেকীৰ বিয়াখন ভাঙি দিবলৈকে আহিল বুলগেৰিয়া—চাভিয়া ইংগণ্ড-আষ্ট্ৰীয়াৰ মহাযুদ্ধখন। যুদ্ধৰ পিছত জাতিয়ে জাতিয়ে শান্তি আৰু মিলন আহিল কিন্তু চেনাই কেতেকীক কাণে আৰু একৈটাই নকবিলে। এই বিশ্বত এনেকুৱা চেনাই-কেতেকী বহুতো আছে—যাক যুহুই নহওক, কালিৰ চিৰধাৰমান গতিয়ে যাৰ জীৱনৰ বাট ছেদেলি ভেদেলি কৰি দিছে যাক আৰু উন্নতি আহি নচুনকৈ গড়ি নিব নোৱাৰি।

মানুহৰ, বিশেষকৈ তিকতা-মানুহৰ কণত যিবোৰ কবি বলিয়া তেজপুৰৰ গণেশ-ঘাটত শিল এটাৰ ওপৰত বহি নবীনে তেওঁৰ বন্ধুক কোৱা কথাবোৰ তেওঁবিলাকে অৱধান কৰিলে বহুত বিপদ তৰি যাব পাৰিব। এই শ্ৰেণীৰ গল্পই যিটো মূল-নীতিত থিয় হৈ নিজক গঢ়ে সেই মূলনীতি আছে বহুত অমৰ-গ্ৰন্থৰ মূলতো। হব পাৰে পিছৰটো কালজয়ী মাৰ্ক্সল পাথৰৰ, যি ফাটি পৰিব খুজিলেও চিকমিকিয়া সোণৰ বেখাই বিজুলীৰ দৰে বেড়ি ধৰে আৰু গল্পৰ বভা-ঘৰ সেই ভেটতে সাজিলেও সি বিয়াৰ বভাৰ দৰে ছদণ্ডৰ স্থতিত। পৃথিবীৰ বুকুৰ মাজত থকা এচপৰা হীৰা পৃথিবীৰ বুকুৰ ওপৰত থকা এপাহ খোলাপ ফুলতকৈ মূল্যবান্ নহয় যি কাৰণৰ মূলত, সেই কাৰণৰ মূলতেই এই গল্পবোৰো অমৰ-গ্ৰন্থৰ দৰে অমূল্য। তিবোতাৰ কণত মই মোহিত হৈ গীতাত পালো—"কীর্ত্তিঃশ্রীর্বাক্চনাৰীণাং" আৰু একে মুহূৰ্ত্ততে মোৰ ভ্ৰম অপনোদন হৈ গল, হেজাৰ তিবোতাৰ মাজাতো মোৰ এই বিভ্ৰম নোপজে। যৌৱনত "আশ্ৰমৰ ফুলনিথন সুন্দৰতকৈও সুন্দৰ দেখাত সখী সকলে হাঁহি হাঁহি উত্তৰ দিলে "সখীয়া, তোমাৰ নিজৰ কণপৈ এবাৰ মন কৰা, তোমাৰ ৰূপেই তোমাৰ কথাৰ উত্তৰ দিব।"

এই উত্তৰত যদি একো গভীৰতা নাই গীতাৰ শ্লোকত কিমান আছে মই কব নোৱাৰোঁ। সেইদৰে "এদিন ফাগুনমহীয়া জোনালি ৰাতি নৈৰ বগা বালিত মৃণাল" আৰু 'সাধাৰণি পুৱা' লেখা কবি জন বহি যি অৱস্থা লাভ কৰিলে মিবাণ্ডা শকুন্তলা সমালোচনা হওক নহওক নিজৰ জীৱন সমালোচনা কবি জনৰ হৈ গল।

ইয়াৰ পিছত হিন্দু-সমাজৰ অবিচাৰৰ ক'লা—এঙাৰ বিছুমানৰ দাগে কিতাপৰ কেই পাতমান ক'লা কৰিছে যাৰ সমালোচনাত কলম এতিয়া অচল হৈ পৰিলেও এই কথাখিনি তুলি দিব পাৰি :—

* * * পাছদিনা পুৱা দেখা গল গাৱঁৰ পিতনি-পুখুৰীত তৰাদৈ মৰি ওপঙি আছে। ততালিকে খবৰ পুলিচলৈ গ'ল পুলিচ অহামাত্ৰেই চেনাই বান্ধৱপবা মুকলি হৈ হিয়া ভুকুৱাই কান্দিবলৈ ধৰিলে; বাহতাল সত্ৰৰ অধিকাৰ প্ৰভুৰে পুৱাতেই সেই ঠাই এবিলে।"

গাভৰুৰ বাহনি বোলা গল্পটোত মুকলিমুৰীয়া জীৱন কাক বোলে তাক জানি।

"ছাহাব, মই ওখাঁলি ছোৱালী, পৰ্ব্বত-পাহাড় বগাই ডাঙৰ-দীঘল হৈছোঁ, সেইদৰেই মই এনে মানুহছলে বিয়া হম, যাৰ লগত পৰ্ব্বত—পাহাড় ভাঙি, বন্দে-বৰষুণে শুকাই তিতি নাচি-গাই ফুৰিব পাৰিম। মই হাল-কোৰ বাৰ নোৱাৰো, লাহ ধৰি ফুৱা ৰণ-বাহাদুৰলৈ বিয়া হৈ, চেচুকৰ ডেম-ডেউকাৰ দৰে, ঘৰৰ ভিতৰত সোমাই থাকি গাভৰু কালতে বুঢ়ী হব নোৱাৰোঁ।"

"মোৰ মনেৰে যেয়ে মুকলি মুৰে ফুৰিব পাৰে, সেয়ে ডাঙৰ মানুহ।"

এইবোৰ কথাৰ বাবে এই ওখাঁলি ছোৱালীজনীৰ লগত খস্তেকলৈ হলেও আমাৰ মনটো উৰা মাৰে। হিমাগয় পৰ্ব্বতৰ এজোপা বনবীয়া লতা বা এপাহ বনবীয়া ফুল বুলি নহয়—আমাৰ নীৰস কঠোৰ জীৱন-সংগ্ৰামৰ সহবাসিনী বুলিহে।

ত্যাগ নে প্ৰেম বোলা গল্পটোত নিজৰাৰ দৰে গভীৰ কাকণ্যৰ হাঁহি এটি কলকলাই বাগৰি আছিহে।

"সেইদিনা আবেলি হঠাৎ তেওঁৰ বিয়াৰ কথা শুনি, মোৰ হিয়াখন যেন তেনেই উদং হৈ পৰিল। থক্-থক্‌কৈ কঁপিবলৈ ধৰিলো; ইয়াৰ অলপ পাছতে, মই আপোনা আপুনি কৈ পেলালো, "বিয়া আৰু নকবাওঁ।"

"তাঁৰ পিছত খুব হাঁহিবলৈ ধৰিলো; সেই বে হাঁহিলো, পমিলী, তেতিয়াৰ পৰা আৰু আহিয়ে আছোঁ হাঁহিয়ে আৰু নাম গাম। শুনা এতিয়া, পমিলী, আৰু এটা নাম গাওঁ।"

এই ছোৱালীজনীৰ জীৱনৰ লগত চন্দ্ৰকান্তসিংহৰ ৰহিলাৰ জীৱন যেন মিলি যায়। এটা অনাহক সমবেদনাবে মন ভৰি পৰে।

পানী-মাটিৰ কথাকে কিতাপখনৰ শেহ
শেহটো অমধুৰ নহয়।

শ্ৰীযুত নগেন্দ্ৰ ভূষা প্ৰণীত আৰু যোৰহাটৰ অসম পাৱলিঙিং হাউছ্ দ্বাৰা প্ৰকাশিত—বেচ ।।•

ব্রহ্মপুত্রৰ জাহাজত ফার্ষ্ট ক্লাচ ডেকত উঠি ডিব্রুগড়লৈ উজাই যোৱা কথাটো ভাল। কিন্তু ভাল সহযাত্রী পোৱা কথাটো আৰু ভাল।

"এনেতে জাহাজৰ বাটনাৰটোৱে মোৰ আগত চাহ-কাট দিলেহি। আগত কিতাপখন মেলি থৈ এবাৰ উষা-নগৰীৰ সৌন্দৰ্য্যলৈ চাই চাই, এশোহা এশোহাকৈ চাহ খাবলৈ ধৰিছো। এনেতে, ই দাঁতিৰ কেবিনটোৰ পৰা এগৰাকী সৌম্য-মূৰ্ত্তিৰ বঙ্গসীয়া তিৰোতাই লগত ষোল-সোতৰ বছৰীয়া ছোৱালী এটি লৈ মই বহা মেজখনতে চকী দুখন টান মাৰি বহিলেহি।.....এবাৰ মুৰ দাঙি চাই বুজিলো, এওঁবিলাক সাজপাৰত উচ্চ-শিক্ষিতা বঙালী।"

ইয়াৰ ভিতৰতে ছোৱালীটি কেনেকৈ নৰয়া পৰিল। অসমীয়া ডাক্তৰজনে কেনেকৈ চিকিৎসা কৰি জাহাজৰ বঙালী ডাক্তৰ জনকো চেৰ পেলাই দিলে। পিছৰ জনৰ প্ৰশ্ন প্ৰথমজনৰ উত্তৰ চাওক :—

"ভয় নাই আৰু, নৌকা বঙমনে চাহ খাই খাই বিশাল ব্ৰহ্মপুত্ৰৰ সোণালী ঢৌৰ কবিতা উপভোগ কৰিছে।..... .....মোৰ কথাত গাভকটিয়ে মাকৰ ফালে চাই মিচিকৈ হাঁহিলে। ডাক্তৰ বাবুজনে মাথোন এবাৰ মোৰ মুখলৈ-এবাৰ গাভকৰ মুখলৈ চাই বুদ্ধাগধাকীক কলে "মই নকৈছিলো, ব্ৰহ্মপুত্ৰৰ জুৰ হাৱা মুৰত লাগি লাহে লাহে আপুনি ভাল হব।"

কথাৰ পিছত ডাক্তৰ বাবুৰ নমস্কাৰটোত বিভাবষ্টিম্ নেভিগেশ্চন কোম্পানীৰ দৈন্যহে ওলাই পৰিল।

"আমি তেতিয়া ককিলামুখ ঘাটটো বিণি-বিণি দেখা পাইছো।"

ছোৱালীজনীয়ে কিন্তু জীৱনৰ ঘাট দেখা পালে অসমীয়া ডাক্তৰ জনত।

"গান গালে, আচৰিত কথা, বঙালী ছোৱালীজনীয়ে "ৰ' মোৰ অসমী আই।"

"এদিন গধূলি গান গোৱা হলত' তকৰে মোৰ হাতখন ধৰি কলে "ঈশ্বৰৰ কৰুণা নহয়নে? দাদাই বৰ ভয় কৰিছিল। কিজানি আমাৰ বিয়াখন নহয়। আপুনি বৰ ভয় কৰিছিল,—কিজানি আমাৰ বিয়াখন নহয়। আপুনি বঙালীৰ নামত যি দৰেহে তিনি জাপ মাৰে, কি জানি বঙালী ছোৱালীক যিণ কৰি বিয়াত মত নিদিয়েই সচাকৈ কওকচোন, এতিয়াও যিণ কৰেনে? মোকো যিণ কৰেনে?"

"তকৰ কথাত হো-হোকৈ হাঁহিবলৈ ধৰিলো। যিণ কৰো?.....এই জগতত কাৰ সাধ্য ঈশ্বৰৰ শ্ৰেষ্ঠ বস্তু মানুহক যিণ কৰিব পাৰে? মানুহৰ ধৰ্ম্ম মানুহে মানুহক ভাল পাবলৈ। কোনো মানুহৰেই, সংসাৰ মানুহৰ কথাকে নকওঁ, ঈশ্বৰৰ সৃষ্টি পশু পক্ষী কো যিণ কৰিবৰ অধিকাৰ নাই। মইনো ইমান তলতনে যে মই মানুহক যিণ কৰিম।"

"এতিয়া আমি অসমীয়াবো আমাৰ অকণমানি দেশ খনিৰ অন্তৰ্ছেৱ কৰিবলৈ টনা আজোৰা কবাতহে বঙালী চুকতে থাকি বুকুতে কামৰিছ বুলি ধমক দিওঁ। বঙালীৰ এনেকুৱা কাৰ্য্য যিমান দিন চলিব মইনা যেতিয়াই চলাব, তেতিয়াই আত্মসম্মান থকা প্ৰতি অসমীয়াই বঙালীক ডাবি দিবই তেওঁবিলাকৰ কাৰ্য্যৰ বাবে। সেই বুলি বঙালীক মানুহ হিচাপে আমি যিণ নকৰোঁ। মই অসমীয়া তুমি বঙালী—ইয়াত যিণ ক'ত? চাখন হিয়াৰ মধুৰ মিলন কেনে সুন্দৰ। এই মিলনত মুহূৰ্ত্তলৈও ভাবিব পাৰোনে আমি বেলেগ বুলি ?"

অসাম্প্ৰদায়িক অপ্ৰাদেশিক এইবোৰ উদাৰতম কথাত আমাৰ আজি সঁচাকৈয়ে প্ৰাণৰ যোগ।

কামাখ্যাতীর্থ

(কালিকা পুৰাণবপৰা অনূদিত)

—পণ্ডিত শ্রীকামাখ্যাচৰণ ভট্টাচার্য্য

(৩)

যি মানুহে যোনিৰূপা জগন্মাতৃী কামাখ্যা দেবীৰ আৰু মহাদেৱী শাৰদাৰ বিধিমতে পূজা কৰে, তেওঁ আটাইবোৰ অভিলষিত বস্তু লাভ কৰি অন্তকালত শিৱলোক পায়। যদি পীঠৰ বাজেও এই নীলকূট পৰ্ব্বতৰ আন কোন ঠাইত কামকলিনীৰ পূজা কৰে, তেন্তে আগেয়ে কোৱা আটাইবোৰ বিধিৰ অনুষ্ঠান কৰিব।*

কামাখ্যা পূজাৰ ফল

যদি আন ঠাইত পানীত, স্থণ্ডিলত, নাইবা শিল আদিত দেবীৰ পূজা কৰে, তেনেহলে ইচ্ছামতে পীঠদেৱতাবিলাকৰ পূজা কৰক নাইবা নকৰক, পীঠত অৱশ্যে অৱশ্যে পীঠদেৱতা সকলৰ পূজা কৰিব। এই ঠাবে যি মানুহে পঞ্চমূৰ্ত্তিধাৰিণী শিৱাক পূজা কৰে, অধিকাই নিজে তেওঁক বৰ দিয়ে। তেওঁৰ কোনো প্ৰকাৰৰ বিঘিনি আদি নাইবা ব্যাধি নহয়; আৰু ধন, ধান, ঐশ্বৰ্য্য আদিত কোনোৱে তেওঁৰ নিচিনা হব নোৱাৰে। কোটি গৰু দান কৰিলে মানুহৰ যি ফল লাভ হয়, কামাখ্যা দেবীক পূজিলেও মানুহৰ সেই ফললাভ হয় *২

* ১ কামাখ্যা পূজাৰ বেলেগ বেলেগ বিধি। অনাৱশ্যকীয় বিবেচনা কৰি উদ্ধৃত নকৰিলোঁ।

* ২ এবং দেবীং তু কামাখ্যাং যোনিং মুদ্রাং জগন্মযীম্।
শাৰদাখ্যাং মহাদেৱীং যোগেন বিধিনা যজেৎ
সর্ব্ব কামান্ সমাপ্নোতি শিৱলোকমবাপ্নুযাৎ ॥ ৪৯ ॥
যদি পীঠং বিনাঞ্চান্ত পূজযেৎ কামকলিনীম্।
নীলকূটে তদাপ্যেতৎ সর্ব্বমেব সমাচৰেৎ ॥৫০॥
সৰ্ব্বাস্তত্ৰ যজেদ্দেবীং জলে বা স্থণ্ডিলেঽপি বা।
শিলাদিষু চ বল্মে বা দেবীপীঠে যথেচ্ছয়া *
যজেদ্বান যজেদ্বাপি পীঠৈরন্যৈঃ প্রপূজয়েৎ ॥৫১ ॥
এবং যঃ পঞ্চভিমৰ্ত্তৈঃ পঞ্চমূর্ত্তি ধরাং শিবাম্।
একৈকেনাপি বা তত্ত অৰ্চ্চং স্তাবন্ধাপিয়া ॥
বিঘ্না ন তস্ত জায়ন্তে নাধয়ো ব্যাধয়স্তথা।
ন তস্ত সদৃশোঽস্তঃ ক্ষোদ্ধনাধাঞ্চ সমৃদ্ধিভিঃ ॥৫৩॥

মানুহে এবাৰ মাথোন কামাখ্যাদেবীৰ পূজা কৰি পূৰ্ব্ববৰ্ত্তী দহ আৰু পৰবৰ্ত্তী দহ পুৰুষক পাপৰ পৰা উদ্ধাৰ কৰি, মোৰ লোক লাভ কৰে। যি মানুহে যোনি মণ্ডলত কামাখ্যা দেবীক তিনিবাৰ পূজা কৰে, তেওঁ পাপৰ ভাঁৰলৰ পৰা নিজৰ বংশীয় হাজাৰ পুৰুষক উদ্ধাৰ কৰি, ইহলোকত সুখ ঐশ্বৰ্য্য আৰু দীৰ্ঘায়ু পায়, (১) দেহা এবাৰ পাছত মোৰ লোকলৈ গৈ গণাধিপত্য পায়। যি সাধকে যি কোনো অষ্টমী আৰু নবমী তিথিত ৰবপ্ৰদা পঞ্চকপা কামাখ্যা দেবীক বেলেগ বেলেগ মণ্ডল আঁকি বেলেগ বেলেগ পঞ্চমন্ত্ৰৰ দ্বাৰা পঞ্চকপাৰ ধ্যান আৰু পঞ্চমন্ত্ৰ জপ কৰি পূজা কৰে, সেই মানুহে সহস্ৰ কোটি কল্প মোৰ লগত থাকি, তাৰ পিছত দেবীৰ অনুগ্ৰহত পৰম নিৰ্ব্বাণ মুক্তি পায়।

গৰাং কোটি প্ৰদানাত্তু যৎফলং প্ৰাপ্নুতে নৃণাম্।
তৎফলং সমবাপ্নোতি কামাখ্যাং পূজয়ন্নরঃ ॥৫৪॥
দশ পূর্ব্বান্ দশপরান্ বংশানুদ্ধৃত্য পাপতঃ
সপুত্র সপ্তমুদ্ধৃত্য বিষ্ণিনানেন মানবঃ।
যন্নিবাবান্ পূজয়েত্তু বিষ্ণিনানেন মানবঃ।
নীল পর্ব্বত মাৰভ্য কামাখ্যাং যোনিমণ্ডলে ॥৫৬ ॥
স সহস্রত্ত বংশানামুদ্ধৃত্য পাপকোকতঃ।
ইহলোকে সুখৈশ্বর্য্য চিৰায়ুষ্য মবাপ্নুযাৎ ॥৫৭॥
দেহান্তে মন্দুরঃ প্রাপ্য গণানামধিপো ভবেৎ।
যজ্ঞাঃ কস্তামপাষ্টম্যাং নবম্যাং বাপি সাধকঃ ॥৫৮ ॥
পঞ্চকপাত্ত কামাখ্যাং পঞ্চমন্ত্রৈঃ পৃথক্ পৃথক্।
পূজয়েদ্ৰবরাং দেবীং মণ্ডলেষু পৃথক্ পৃথক্ ॥৫৯ ॥
ধ্যাত্বা তু পঞ্চকপাণি জপ্ত্বা মন্ত্রংস্তু পঞ্চবৈ।
কল্প কোটি সহস্রাণি মম লোকে চ মানবঃ।
স্থিত্বা দেবী প্রসাদেন পরং নির্ব্বাণমাপ্নুয়াৎ ॥৬০॥"

৩৫ আখ্যা, কালিকাপুৰাণ।

১। কোনো কোনো আহি পুথিত তলত লিখা শ্লোকটো অতিৰিক্ত আছে।
যথা :—"ধি। সম্পূজ্য মহাদেবীং কামাখ্যাং যোনিমণ্ডলে।
শতং বংশান্ সমুদ্ধৃত্য দেবীলোকমবাপ্নুযাৎ ॥"

তাৰ পাছত শোকত বিমোৰ হোৱা মহাদেৱে সতীৰ শটো কান্ধত লৈ বিলাপ কৰি কৰি পূবফালে যাবলৈ বিলাপ কৰি কৰি পূবকালে যাবলৈ ধৰিলে গৈ থকা মহাদেৱৰ উন্মত্তৰ নিচিনা ভাব দেখি ব্ৰহ্মাকে আদি কৰি দেৱতা সকলে সতীৰ শটো মহাদেৱৰ কান্ধৰ পৰা পেলাবলৈ উপায় ভাবিব ধৰিলে। শিৱৰ কান্ধত থকাৰ বাবে এই শটো পচি না যায়। তেন্তে শটো কেনেকৈনো পৰিব। ব্ৰহ্মা, বিষ্ণু আৰু শনিয়ে এই চিন্তা কৰি যোগ মায়াৰ বলেৰে নেদেখা হৈ সতীৰ শবৰ ভিতৰত সোমাই, ডোখৰ ডোখৰ কৰি পুণ্যতীৰ্থ কৰিবলৈ পৃথিবীৰ ঠায়ে ঠায়ে পেলালে। প্ৰথমে পৃথিবীত দেবীকুটনামে ঠাইত সতীৰ ভৰি দুখন পৰে। জগতৰ হিতৰ বাবে উড্ডিয়ান নামে ঠাইত তেওঁৰ উৰুযুগল পৰে। কামৰূপৰ কামগিৰিত তেওঁৰ যোনি মণ্ডল পৰে। সেই ঠাইতে পূবফালে নাভিমণ্ডল পৰে। সোণৰ হাৰেৰে শুৱনি পিয়াহ দুটি জালন্ধৰত পৰে। পূৰ্ণগিৰিত কাঁধ আৰু গল; আৰু মূৰটো কামৰূপৰ শেহভাগত পৰে। মহাদেৱে সতীৰ শটো লৈ যিমান দূৰলৈকে গৈছিল, পূৰ্ব্বদেশৰ মাজত তিমানখিনিয়ে যাজ্ঞিক দেশ বুলি কথিত। সতীৰ দেহাৰ আন অবয়ব বোৰ দেবগণৰ দ্বাৰা তিল তিল কৈ খণ্ডিত হৈ বায়ুবেগেৰে আকাশী গঙ্গালৈ গল। হে দ্বিজ সকল! তেতিয়া যি যি ঠাইত সতীৰ পদাদি অঙ্গ পৰিল, সেই সেই ঠাইত মহাদেৱে, সতীৰ প্ৰতি মৰম কৰি, নিজে লিঙ্গৰূপে থাকিল। ব্ৰহ্মা, বিষ্ণু, শনি, আৰু আন আন দেবতাবিলাকে প্ৰীতিৰে সৈতে সতীৰ পদাদি অঙ্গ পূজা কৰিলে। দেবীকূটত সতীৰ পদযুগত অধিষ্ঠিত জগদম্বা মহাদেবী যোগনিদ্ৰা "মহাভাগা" নামে কথিত। উড্ডিয়ানত "কাত্যায়নী", কামৰূপত "কামাখ্যা," পূৰ্ণগিৰিত "পূৰ্ণেশ্বৰী," আৰু জলন্ধৰত "চণ্ডী" বুলি কথিত হৈছে। কামৰূপৰ পূবভাগত, অবয়ব অধিষ্ঠাত্ৰী দেবীৰ নাম "দিক্কৰ বাসিনী" আৰু শেহ ভাগত অঙ্গাধিষ্ঠাত্ৰী যোগনিদ্ৰাৰ নাম "ললিতা কান্তা"। যি ঠাইত সতীৰ মূৰটো পৰিছিল, তাতে বৃষধ্বজে, মূৰটো দেখি বৰ শোকেৰে অভিভূত হৈ দীঘল হুমুনিয়াহ কাঢ়ি বহিছিল। শিৱে তাতে বহিলত ব্ৰহ্মাকে আদি কৰি দেবতাসকলে আঁতৰৰ পৰাই তেওঁক সান্ত্বনা কৰি, তেওঁৰ ওচৰত উপস্থিত হল। মহাদেৱে দেবতাসকলক অহা দেখি শোক আৰু লাজতে সেই ঠাইত শিল হৈ লিঙ্গ-মূৰ্ত্তি ধৰিলে মহেশ্বৰে লিঙ্গমূৰ্ত্তি ধৰিলত, ব্ৰহ্মাকে আদি কৰি দেবতা সকলে লিঙ্গৰূপী জগতৰ প্ৰভু ত্ৰিলোচনক স্তুতি কৰিব ধৰিলে।*

সতীৰ শলৈ মহাদেৱৰ ভ্ৰমণ আৰু ঠায়ে ঠায়ে সতীৰ অঙ্গ পতন।

* এইবোৰ কথা কালিকাপুৰাণৰ ওঠৰ আধ্যাত আছে

'আৱাহন'ৰ সহৃদয় পাঠক পাঠিকা সকলৰ জানিব লগীয়া বুলি বিবেচনা কৰি লিখিলো। কালিকা পুৰাণৰ ৩২ আধ্যাত, "কামাখ্যা বিবৰণ" বুলি বিশেষ ভাবে উল্লেখ থকাৰ কাৰণে আৰু সেই আধ্যাত কামাখ্যাৰ বিষয়ে বেছি কথা থকাৰ বাবে ইয়াৰ আগৰ প্ৰবন্ধত লিখা হৈছিল। কালিকাপুৰাণৰ ৩৬ অধ্যায়ৰ পৰা ৪০ চল্লিশ আধ্যালৈকে 'নৰকাসুৰৰ" উপাখ্যান আছে। তাতো কামাখ্যাৰ বিষয়ে কিছুমান কথা আছে। সেই বাবে অপ্ৰাসঙ্গিক হব বুলি জানিও নৰকৰ বিষয়ে কিছুমান কথা লিখা হল।

"অথ শোক বিমূঢ়াত্মা বিলপন্ বৃষভধ্বজঃ।
জগাম প্ৰাচ্য দেশাস্তু স্কন্ধে কৃত্বা সতীশবম্ ॥৩৭॥
উন্মত্তবদ্গচ্ছতোঽস্য দৃষ্ট্বা ভাবং দিবৌকসঃ।
ব্ৰহ্মাদ্যাশ্চিন্তয়ামাসুঃ শব ভ্ৰংশন কৰ্ম্মণি ॥৩৮॥
হৰগাত্ৰস্য সংস্পৰ্শাচ্ছৰো নায়ং বিশীৰ্ণতাম্।
গমিষ্যতি কথং তস্মাদস্য ভ্ৰংশো ভবিষ্যতি ॥৩৯॥
ইতি সঞ্চিন্তয়ন্তস্তে ব্ৰহ্মাবিষ্ণু শনৈশ্চৰাঃ।
সতী শবান্তৰ্বিবিশুৰদৃশ্যা যোগমায়য়া ॥৪০॥
প্ৰবিশ্যাথ শবংদেবাঃ খণ্ডশস্তে সতীশবম্।
ভূতলে পাতয়ামাসুঃ স্থানে স্থানে বিশেষতঃ ॥৪১॥
দেবীকূটে পাদযুগ্মং প্ৰথমং ন্যপতৎ ক্ষিতৌ।
উড্ডিয়ানে চোৰুযুগ্মং হিতায় জগতাং ততঃ ॥৪২॥
কামৰূপে কামগিৰৌ ন্যাপত্যৎ যোনি মণ্ডলম্।
তত্ৰৈব ন্যপতত্তুমো পূৰ্ব্বতো নাভিমণ্ডলম্ ॥৪৩॥
জলান্ধৰে স্তনযুগং স্বৰ্ণহাৰ বিভূষিতম্।
অশংগ্ৰাবং পূৰ্ণগিৰৌ কামৰূপাত্ততঃ শিৰং ॥৪৪॥
যাবদ্ভুবং গতো ভৰ্গঃ সমাদায় সতীশবম্।
প্ৰাচ্যেষু যাজ্ঞিকো দেশস্তাবদেব প্ৰকীৰ্ত্তিতঃ ॥৪৫॥
অন্যে শৰীৰাবয়বা লবশঃ খণ্ডিতাঃ সুৰৈঃ।
আকাশ গঙ্গামগমন পবনেন সমীৰিতাঃ ॥৪৬॥
যত্ৰ যত্ৰা পতন্ সত্যাস্তদা পাদাদয়ো দ্বিজাঃ।
তত্ৰ তত্ৰ মহাদেবঃ স্বয়ং লিঙ্গস্বৰূপধৃক্ ॥
তস্থৌ মোহ সমাযুক্তঃ সতীস্নেহবশানুগঃ ॥৪৮॥
ব্ৰহ্মা বিষ্ণুঃ শনিশ্চাপি সৰ্ব্বে দেবগণাস্তথা।
পূজয়াঞ্চক্ৰুৰীশস্য প্ৰীত্যা সত্যাঃ পদাদিকম্ ॥৪৮॥
দেবীকূটে মহাদেবী মহাভাগেতি গীয়তে।
সতীপাদযুগে লীনা যোগনিদ্ৰা জগৎ প্ৰভু ॥৪৯॥

জগতৰ কৰ্ত্তা নাৰায়ণে এই কথা কৈ নৰক আৰু পৃথিবীক লৈ গঙ্গাত প্ৰবেশ কৰিলে; আৰু খন্তেকতে প্ৰাগ্‌জ্যোতিষপুৰত উপস্থিত হল। সেই ঠাই খন কামৰূপৰ মাজত; যি ঠাইত কামাখ্যাদেবী নায়িকা, সেই দেশখন নিজৰ পুত্ৰৰ কাৰণে মহাদেৱে লুকাই ৰাখিছিল। সেই ঠাইত বৰ কঠিন দেহা, বহুত কিৰাতৰ বাস; বিষ্ণুৱে সেই ঠাইত জ্ঞান-হীন বিনা কাৰণত মুণ্ডন কৰা, মদ আৰু মঙহ খোৱাত পৈণত কিৰাত বোৰক দেখা পালে; সিহঁতেও ভগবন্তক দেখি কুপিত হল। সিহঁতৰ অধিপতিৰ নাম ঘটক, সি বৰ বীৰ্য্যবন্ত। সেই ঘটকে ক্ৰুদ্ধ হৈ চতুৰঙ্গ সেনাৰে সৈতে মহাবলী নৰক আৰু ভগবন্তক আক্ৰমণ কৰিলে। মাধৱেও মহা বীৰ্য্যবন্ত পুত্ৰ নৰকক, কিৰাতৰ লগত যুদ্ধৰ নিমিত্তে পাচিলে। নৰকে, যুদ্ধক্ষেত্ৰত উপস্থিত হৈ, ধনু লৈ, বলবন্ত কিৰাত ৰাজৰ লগত বহুত অস্ত্ৰ-শস্ত্ৰ নিক্ষেপ কৰি বহুত সময় যুঁজিব ধৰিলে; তাৰ পাছত বলবন্ত নৰকে ধনুৰ গুণত ভল্লনামেৰে অস্ত্ৰ যোগ কৰি কিৰাত ৰজাৰ মূৰ কাটি পেলালে। সিংহে যেনেকুৱা হাবিৰ ভিতৰত হৰিণ বোৰক বধে, তেনেকুৱা নৰকাসুৰেও প্ৰধান প্ৰধান কিৰাত বোৰক আৰু সেনাপতি বিলাকক বধ কৰিলে। তাৰ পাছত, কিৰাত ৰাজ মৰিলত কিৰাত বিলাকৰ ভিতৰত কোনো কোনো পলাই গল, কোনো বা নৰকৰ শৰণাপন্ন হল। যি বিলাক যুঁজতে আছিল, সিহতক বধি, নৰকে, শৰণাগত সকলক ৰক্ষা কৰিলে।

নৰকাসুৰৰ উপখ্যানত কামাখ্যাদেবীৰ কথা।

তাৰ পাছত নৰকে পিতাকৰ ওচৰলৈ গৈ প্ৰণাম কৰি কলে, হে পিতৃ, কিৰাতৰ ৰজা ঘটক হত হৈছে, আৰু তেওঁৰ সেনাপতি বিলাকো মৰা পৰিছে, এতিয়া কি কৰিব লাগিব আজ্ঞা কৰক। ভগৱন্ত বিষ্ণুৱে কলে, বাছা! দেবী দিক্কৰবাসিনীৰ ঠাইলৈকে কিৰাত বিলাকক খেদি, পলাই যোৱা বোৰক শাস্তি বিহি, শৰণাগত বিলাকক ৰক্ষা কৰা। তাৰ পাছত নৰকে কিৰাত ৰজাৰ বাহণ বগা হাতী এটাত উঠি দিক্কৰ বাসিনীলৈকে কিৰাত বিলাকক খেদি নিলে।...

ভগবন্ত বিষ্ণুৱে কলে; বাছা! কৰতোয়া নামে গঙ্গা সদায় পূৰ্ব্বদিক্ ভাগত বৈছে, যি ঠাইত ললিত কান্তা দেবী আছে, সেই ঠাইলৈকে তোমাৰ ৰাজ্য হব। এই ঠাইত দেবী মহামায়া জগৎ প্ৰসবিনী যোগনিদ্ৰাই কামাখ্যাৰ ৰূপ ধৰি সদায় বিৰাজ কৰিছে।*

* * * *

ললিত কান্তাৰ পাছ ভাগক সীমা কৰি কৰতোয়া নদীলৈকে কামাখ্যা দেবীৰ থকা ঠাই।

"পশ্চাৎল্ললিত কান্তায়া দেশং কৃত্বাবধিং পুনঃ।
কৰতোয়া নদীং যাবৎ কামাখ্যানিলয়ন্তু তৎ ॥ ১১৩॥
৩৮ আধ্যা, কালিকা পুৰাণ।

কাত্যায়নী চোড্ডিয়ানে কামাখ্যা কামৰূপিনী।
পূৰ্ণেশ্বৰী পূৰ্ণ গিৰৌ চণ্ডী জলন্ধৰে গিৰৌ ॥৫০॥
পূৰ্ব্বান্তে কামৰূপস্য দেবীং দিক্কৰ বাসিনী।
তথা ললিতে কান্তেতি যোগনিদ্ৰা প্ৰগীয়তে ॥৫২॥
যত্ৰৈব পতিতং সত্যাং শিৰস্তত্ৰ বৃষধ্বজঃ।
উপবিষ্টঃ শিৰো বীক্ষ্য সৰসঞ্চোকপৰায়ণঃ ॥৫২॥
উপবিষ্টে হৰে তত্ৰ ব্ৰহ্মাদ্যাস্তে দিবৌকসঃ।
সমীপমগমংস্তস্য দূৰতঃ সান্তয়ন্ হৰম্ ॥৫৩॥
দেবানাগৰ্চ্ছতো দৃষ্টা শোকলজ্জা সমন্বিতঃ।
গত্বা শিলাত্বং তত্ৰৈব লিঙ্গত্বং গতবান্ হৰঃ ॥৫৪॥
হৰে লিঙ্গত্বমাপন্নে ব্ৰহ্মাদ্যাস্তু দিবৌকসঃ।
তুষ্টবুস্ত্ৰ্যম্বকং তত্ৰ লিঙ্গৰূপং জগদ্গুৰুম্ ॥৫৫॥
১৮ আধ্যা, কালিকাপুৰাণ॥

* ইত্যুক্ত্বা ভগবান্ বিষ্ণুৰাদায় নৰকাহ্বয়ম্।
সাদ্ধং পৃথিব্যা গঙ্গায়াং মমজ্জ জগতাং প্ৰভুঃ ॥৯৪॥
নিমজ্য ক্ষণমাত্ৰেন প্ৰাগ্‌জ্যোতিষপুৰং গতঃ।
মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা ॥৯৫॥
স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্ব্ব গুপ্তশ্চ শম্ভুনা।
কিৰাতৈৰ্বলিভিঃ ক্ৰূৰৈৰজ্ঞৈৰপি চ বাসিতঃ ॥৯৬॥
ৰুক্মশুম্ভিনিভাংস্তত্ৰ কিৰাতান্ জ্ঞানবৰ্জ্জিতান্।
অনৰ্থ মূৰ্ত্তিতান্ মদ্যমাংসাশনৈক তৎ পৰান্ ॥৯৭॥
দদৰ্শ বিষ্ণুঃ কুপিতান্ বিষ্ণুং দৃষ্টা দ্বিজৰ্ষভাঃ।
তেষামধিপতিস্তত্ৰ ঘটকো নাম বীৰ্য্যবান্ ॥
ৰুক্মস্তুন্তনিভস্তুঙ্গঃ প্ৰদীপ্ত ইব পাবকঃ ॥৯৮॥

স ক্রোধাচ্চতুৰঙ্গেন বলেন মহতা যুতঃ।
আসসাদ জগন্নাথং নৰকঞ্চ মহাবলম্ ॥১০০॥
আসাদ্য শৰিবৰ্ষেন ববৰ্ষ প্ৰভুমব্যয়ম্।
কিৰাতৈঃ সহিতো ৰাজা ঘটকাখ্যঃ কিৰাত ৰাট্ ॥১০১॥
মাধবোঽপি তদা পুত্ৰং নৰকং বীৰ্য্যবত্তৰম্।
প্ৰেষয়া মাসে যুদ্ধায় কিৰাতনৃপতেস্তদা ॥১০২॥

নৰকো ধনুৰাদায় সহ তৈ বল বত্তৰৈঃ।
যুযুধে সুচিত্ৰং তত্ৰ শাস্ত্ৰাস্ত্ৰৈ বহুধাৰতৈঃ ॥১০৩॥
ততোঽসৌ ভল্লমাদায় যোজয়িত্বা ধনুগু ণৈঃ।
শিৰঃ কিৰাত ৰাজস্য বিচ্ছেদ নৰকো বলী ॥১০৪॥
মুখ্যান্ মুখ্যান্ কিৰাতাংশ্চ বহূন্ সেনাধিপাংস্তথা।
জঘান কুপিতো বীৰঃ কেশৰীৰমতঙ্গজান্ ॥১০৫॥
হতেঽথ নৃপতৌ কেচিৎ পলায়ন পৰায়ণাঃ।
কিৰাতাঃ কেচন পুনৰ্ণৰকং শৰণং গতাঃ ॥১০৬॥
নিহত্য যুধ্যমানাংস্তু সংৰক্ষ্য শৰণং গতান্।
নৰকঃ পিতৰং গত্বা প্ৰণম্যাথ ন্যবেদয়ৎ ॥১৭০॥
হতস্তাত কিৰাতানা মধিপো ঘটকো ময়া।
সেনাধিপাংশ্চ তস্যান্যান্ কিমন্যাৎ কৰবাম্যহম্ ॥১৮০॥

ভগবানুবাচ

কিৰাতান্ জহি যাবত্বং দেবীং দিক্কৰবাসিনীম্।
পলায়মানান্ বিদ্ৰাব্য পলায়ঞ্ছৰণং গতান্ ॥ ১০০ ॥

মাৰ্কণ্ডেয় উবাচ

ততঃ স নৰকো বীৰঃ সমাৰুহ্য সিতং গজম্।
চতুৰ্দ্দন্তং মহাকায়ং কিৰাতাধিপবাহনম্ ॥ ১১০ ॥
ঐৰাৱতসমং বীৰ্য্যে বেগেন গৰুড়োপমম্।
কিৰাতান্ দ্ৰবয়ামাস যাবদ্দিক্কৰবাসিনী-ম্ ॥ ১১১ ॥

ভগবান উবাচ

কৰতোয়া সদা গঙ্গা পূৰ্ব্বভাগাবধিশ্ৰয়া।
যাবল্ললিত কান্তাস্তি তাবদেব পুৰং তব ॥ ১১৪ ॥
অত্ৰ দেবী মহামায়া যোগনিদ্ৰা জগৎপ্ৰসূঃ।
কামাখ্যা ৰূপমাস্থায় সদা তিষ্ঠতি শোভনা ॥ ১১৫ ॥
মহাদেবীং মহামায়াং জপচাতৰ মম্বিকাম্।
কামাখ্যাং ত্বং বিনা পুত্ৰ নাদ্যদেবং যজিষ্যসি ॥ ১৪৪ ॥
ইত্যো ঽন্যথা ত্বং বিহৰন্ গতপ্ৰাণো ভবিষ্যসি।
তথান্নৰক যত্নেন সময়ং প্ৰতি পালয় ॥ ১৪৫ ॥

জগতৰ মাতৃ মহামায়া ৰূপিনী কামাখ্যা দেবীৰ বাজে আন দেৱতাৰ পূজাত বেছি ৰত নহবা। হে নৰক। মোৰ প্ৰস্তাৱিত বিষয়ৰ লৰচৰ কৰিলে তোমাৰ জীৱন নাশ হব; এইবাবে এই নিয়ম যত্নৰে পালন কৰা।

* * * * *

কামাখ্যা পূজন ৰতো নীলকূটে মহাগিৰৌ।
মহাভোগী মহাশ্ৰীমান হীন বাধশ্চ শত্ৰুভিঃ।
সুচিৰং ৰাজ্য মকৰোচ্ছুক্ৰবান্দ্ৰিদশালয়ে ॥ ১৫৩ ॥

কামাখ্যা দেবীৰ পূজাত নিযুক্ত, নীলকূট নামেৰে পৰ্ব্বতত নানাবিধ সুখ ভোগত আসক্ত, শোভন আৰু শত্ৰুৰ অজেয়, নৰকেও ইন্দ্ৰৰ নিচিনা ৰাজত্ব কৰিব ধৰিলে।

৩৮ আধ্যা, কালিকা পুৰাণ।



বেদ, তথ্য আৰু তত্ত্ব

(আগেয়ে প্ৰকাশ হোৱাৰ পিছৰপৰা)

—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য

আগতে দেখাই আহিছোঁ বেদ অনন্ত, জ্ঞানৰ অন্ত নাই। প্ৰকৃতিৰ বিৱৰ্ত্তন ক্ৰিয়া (ক্ৰম বিকাশ) ৰহস্য তত্ত্ব ধৰিব নোৱাৰিলে অৰ্থাৎ বুজি নাপালে কাৰোপক্ষে বেদ বুজা অতি টান কথা। পূৰ্ব্ব প্ৰকাশিত খণ্ডত যে ছুলুং আবৰৰ আদিম অৱস্থা দেখোৱা হৈছে, এনে আদিম অৱস্থা বৰ্ত্তমানৰ অনেক সভ্য ভব্য জাতিৰো আছিল। আদিম অৱস্থাৰ অনেক পৰ্ব্বতীয়া জাতি মই ৰবৰৰ কাৰবাৰ আৰু হাতী ধৰা কাৰবাৰ কৰোতে দেখা পাইছোঁ। সিহঁতৰ গাৱত আলহীও খাইছোঁ। সিহঁতৰ পৰা মই কি কি শিক্ষা পাইছোঁ এতিয়া আগতে প্ৰকৃতিৰ লীলা বিষয় সেই বিলাক পৰ্ব্বতীয়া জাতিৰ ভাব যি যি গমি পিতিকি পাইছোঁ সেই বিলাক আলোচনা কৰি পিছেহে অভ্ৰান্ত বেদ কেনে বিলাক তাক দেখাম। অনেক পৰ্ব্বতীয়া জাতিৰ ভিতৰৰ ডফলা, আবৰ চিংফৌ, নগা আৰু মিকিৰ প্ৰভৃতিৰ ভাষাও মই জানিছিলো এতিয়া পাহৰিছোঁ। অনেক কথা। চিংফৌ—কাচিন ভাষা মই শিক্ষা কৰি প্ৰথম ভাগ ঋজু পাঠ খন সংস্কৃত ভাষাৰ পৰা ভাঙ্গি চিংফৌ পুস্তক শুনোৱাত সিহঁতৰ ৰজা নিংগ্ৰো চামসে মোক 'গবা' উপাধি দিছিল তাৰ মানে ডাঙৰ পণ্ডিত। পৰ্ব্বতীয়া জাতিৰ ভিতৰত খামতি চিং ফৌ দুটি জাতৰ মানুহে মোক বৰ মৰম কৰিছিল। খামতি সভ্য, ইহঁতৰ লিখিত ভাষা আছে, চিং ফৌক খামতিয়েই সভ্য কৰি তুলিছে। এইবিলাক পৰ্ব্বতীয়া জাতিৰ ভিতৰত প্ৰায়েই Totamist জীৱ-জন্তু, নদী, গছ গছনিৰ পৰা উৎপত্তি হোৱা বুলি সিহঁতে কয়। আহোম আৰু খামতি একে জাতিৰ লোক। প্ৰায় আহোমৰ জন্ম লাও গুটিৰ পৰা, বড়ো কচাৰিৰ এজন ভদ্ৰলোকৰ পৰা শুমিবলৈ পাইছিলো তেওঁ লোকে বংশক 'আৰি' বোলে। তেওঁলোকৰ কোনো খেল মৰাপাট গছৰ আৰি, কোনো খেল সিজু গছৰ আৰি, কোনো খেল ব্ৰহ্ম (আশত গছৰ) আৰু, এইদেৰে জীৱ জন্তু গছগছনি। নৈ পৰ্ব্বতৰ পৰা জন্মলাভ কৰা—যিহক Totamist ইংৰাজী ভাষাত বোলে। এনে কথা ভাবি চালে আদি যুগত সদৌ মানৱ জাতিয়েই টোটেমিষ্ট আছিল যে তাৰ ভুল নাই। এই কথা গভীৰ তত্ত্ব দৰ্শন ভাবেৰে চালে, ইয়াৰ গুৰি সত্য পিতিকি চালে দেখা যায় যে ক্ৰম বিকাশ হিচাপ মতে পুৰাণে কয় যে চৌৰাশী লক্ষ যোনি ভ্ৰমণ কৰিহে শেহত দুৰ্ল্লভ মনুষ্য জন্ম হৈছে। বিজ্ঞানৰ তত্ত্বধৰি চালেও এই কথা সত্য প্ৰমাণ হয়। বিবৰ্ত্তন বা ক্ৰম বিকাশ ৰহস্যৰ একো ভুল নাই। অমৰ কোষ সংস্কৃত অভিধানত দেখা যায় পৃথিবীৰ নাম কশ্যপী। এই কশ্যপী কোষৰ পৰাই জীৱ প্ৰাণী বিলাকৰ সৃষ্টি যে মই তলত দেখাম। আদি কশ্যপ ঋষি নহয় কোষহে। বিষ্ণু পুৰাণত পোৱা যায় কশ্যপ ঋষিৰ ১৩ জনী তিৰোতা। এই ১৩ জনী তিৰোতাৰ গৰ্ভৰ পৰা দেৱতা, অসুৰ, দৈত্য, মনুষ্য হাতী ঘোড়া গৰু ছাগলী আদি অসংখ্য জীৱজন্তু সাপ বেং পোকপকৰা চৰাই চিৰকতি মাছ মগৰ বাঘ, ভালুক শিয়াল কুকুৰ লেখিব নোৱাৰা নানা জীৱ জন্তু যে জন্ম হলেই কাঠ পাথৰৰো জন্ম হল। চন্দ্ৰ, সূৰ্য্য বায়ু বৰুণৰো জন্ম কশ্যপৰ ঘৈনী অদ্বিতীৰ গৰ্ভৰ পৰা বিষ্ণুপুৰাণৰ আতিগুৰিৰ গল্পৰূপ সাধুকথা বিলাক তত ধৰি পিতিকি চালে কি পোৱা যায়? কশ্যপ মানুহো নহয় ঋষিও নহয় কোষ

বা ডিম্ব মাথোন যৰ পৰা জীৱ জগত সৃষ্টি হৈছে। আগতে দেখাই আহিছোঁ চুলুং আবৰৰ কথা। পুৰাণ বিলাকতো চুলুং আবৰ নগা ডফলাৰ দৰে আদিম অসভ্য অজ্ঞান জন্তু বংশী (Totamist) মানৱ জাতিৰ কিছু গল্প বা সাধু কথা থকা অসম্ভৱ নহয়। কিন্তু ইয়াক চন্দিয়াই বথলিয়াই তত্ত্ব দৰ্শন চকু জোৰ লগাই চালে সঁচা কিবিলাক দেখা পায়। আমি ৰামায়ণ মহাভাৰত পঢ়ি সিংহ, বাঘ, ভালুক বান্দৰ আদি যথা, নল, নীল, জাম্বুবান, হনুমান আদিৰ কাৰ্য্য মানুহৰ দৰে কৰা পাও। কিন্তু সেই বিলাক জন্তু নহয় জন্তু বংশী (Totamist) মানুহে। কোনো কোনোৱে কয় পূৰ্ব্বপুৰুষ সিংহ, কোনোৱে কয় বাঘ, কোনোৱে কয় ভালুক, বান্দৰ, নেল, হনুমান ইত্যাদি। এই কথাৰ প্ৰমাণ ৰামায়ণ, মহা ভাৰত আদি পুৰাণৰ গল্পত ওলাই আছে। শ্ৰীৰামচন্দ্ৰে বান্দৰ সৈন্য লৈ সাগৰত সেতু বান্ধি যুদ্ধ কৰি ৰাৱণ বধ কৰি লঙ্কা জিনি সীতা উদ্ধাৰ কৰিলে। শ্ৰীকৃষ্ণ চৰিতত পোৱা যায় সত্ৰাজিতৰ ভায়েক সুসেন শ্যামন্তক মণি (অৱশ্য কোহিনূৰ হীৰাখন) পিন্ধি শ্ৰীকৃষ্ণক দেখা কৰিবলৈ আহে। পিছে কৃষ্ণৰ সৈতে কথা বতৰা পাতি উভতি ঘৰলৈ যায়। তেওঁৰ গলত শ্যমন্তক মণি দেখি সিংহৰ লোভ লাগি তেওঁক বধ কৰি ডকাইতি কৰি শ্যমন্তক মণি লৈ গল। সত্ৰাজিতৰ ভায়েক সুসেন ঘৰত নোপোৱাত ৰাজ ঘৰত মহা হুলস্থুল পৰি গল। সত্ৰাজিতে ভাবিলে "শ্যমন্তক পিন্ধি গৈলা বনক ভৈয়ায় জানিলো মাৰিলে কৃষ্ণে নিজানত পায়"। এই মিছা বদনাম যেতিয়া কৃষ্ণৰ কাণত পৰিল, তেতিয়া শ্ৰীকৃষ্ণে তধা মানি নিজে সসৈন্যে সেই মণিটি সুসেনক বধ কৰি কোনে নিলে বিচাৰিবলৈ গল। গৈ গৈ সিংহৰ ৰাজ্যত সোমাল, তাত গৈ সিংহৰ ৰজাক সোধে যে 'সুসেনক মাৰি তুমি মণি নিলা'। এই বুলি যুদ্ধ ওলোটাই দিবলৈ টানি ধৰাত সিংহক পৰাস্ত কৰি মণি নিয়া ডকাইত সিংহৰে সৈতে ভালুকে যুঁজ কৰি সিংহক মাৰি মণি লৈ গল বুলি সিংহই কলে।

শ্ৰীকৃষ্ণে তেতিয়া ভালুক ডকাইতৰ দল অহা বাটে বাটে গৈ ভালুক ৰজাৰ ঘৰ পালেগৈ "খোজগুৰি ভালুকৰ চান্দি চান্দিগৈ"। ভালুক ৰজা বৰ প্ৰবল আৰু সিংহতকৈ শক্তিমন্ত। মণি খোজাত শ্ৰীকৃষ্ণক ভালুকৰ ৰজাই দিবলৈ অমান্তি হোৱাত ভালুকৰ লগত শ্ৰীকৃষ্ণৰ ঘোৰতৰ যুদ্ধ লাগিল, যুদ্ধত ভালুক হাৰি প্ৰাণ ৰক্ষাৰ নিমিত্তে শ্ৰীকৃষ্ণক কাকুতি কৰি মণি যে দিলেই ৰজাই নিজ কন্যা জাম্বৱতীক শ্ৰীকৃষ্ণক ভাৰ্য্যা কৰি দিলে। ৰামায়ণ মহাভাৰত আদি পুৰাণত উল্লেখ কৰা বান্দৰ, ভালুক সিংহ, হাতী, মহ নাম প্ৰভৃতি জন্তু নহয় জনপদহে। আনকি গড়ুৰ পক্ষীও চৰাই নহয় মানুহে। গাড়ো পৰ্ব্বতক "গড়ুৰাৎ" অৰ্থাৎ গাড়ো জাতি গড়ুৰৰ পৰা হোৱা বুলি জনা যায়। ভাৰত বৰ্ষত পৰ্ব্বতত বাস কৰা আৰু ভৈয়ামত বাস কৰা অসভ্য জাতিবিলাক Totamist অৰ্থাৎ পূৰ্ব্ব পুৰুষ পশু পক্ষী আছিল বুলি এতিয়াও কোৱা মেলা কৰা মই নিজে অনেক অসভ্য জাতিৰ পৰা শুনিছোঁ, সিংহ, বাঘ, সাপ, ভালুক শিয়াল একোও বাদ নপৰে। যি জাতি যি জন্তুৰ বংশী সেই জাতিয়ে সেই জন্তু বধ নকৰে ভাবি দেখিলে ভীল, কোল, গণ্ড চাওতাল আদি কিছুমান লোকক দ্ৰাবিড়ী জাতিৰ অন্তৰ্গত ভবা ভুল। সেইবিলাক মানুহক ৰামায়ণ মহাভাৰতত অসভ্য আৰু বৰ হিংস্ৰ চোৰ ডকাইত গতিকে আৰ্য্য কৰিয়ে ভাগে ভাগে জন্তু নাম উল্লেখ কৰিছিল।

অসমত যিবিলাক পৰ্ব্বতীয়া জনপদ আছে ভাবি দেখিলে সকলো বিলাক ভাৰতবৰ্ষৰ আদিম বাসী। কৰো পৰা ভাহি অহা নহয়। এই বিলাক মানুহ যি মাটিত ওপজা এতিয়া পৰ্য্যন্ত তাতে থকা আদিম বাসী বোলে। এনে বিলাক মানুহৰ ধৰ্ম্ম প্ৰায় Totamist আৰু Animist জন্তু আৰু ভূত প্ৰেত আদি উপাসক। এই বিলাক মানুহ বাইবেলত লেখা আদাম আৰু ইভৰ পৰা জন্ম হোৱা নহয়। ব্ৰহ্মা বা দক্ষ প্ৰজাপতিয়েও গুৰিত জন্ম দিয়া বংশৰ লোক নহয়। আদাম-ইভ আৰু ব্ৰহ্মাৰ পৰা সৃষ্টি হোৱা বুলি যুক্তিপূৰ্ণ অনুমান তত্ত্বই নধৰে। আদাম ইভ আৰু ব্ৰহ্মাৰ বাপেক মাক কোন আছিল তাক কোনে কব পাৰে? মুনিহ তিৰুতাৰ সংযোগ নোহোৱা কৈ সন্তান ওপজা কথা যুক্তি বা

ন্যায় শাস্ত্ৰৰ বিৰোধী কথা আৰু দৰ্শন বিজ্ঞানেও এনে কথা কেতিয়াও প্ৰমাণ নকৰে। তেন্তে জীৱ সৃষ্টি কিহৰ পৰা হল আৰু মানুহ সৃষ্টি কৰা পৰা হল। এতিয়া এই কথা বিচাৰ কৰি দেখা যাওক। আমাৰ হিন্দু শাস্ত্ৰে কয় "দেবানাং পূৰ্ব্ব যুগে অসতো সত জায়তে" অৰ্থাৎ আদি পূৰ্ব্ব যুগৰ দেৱতা মানুহ বিলাক একো নোহোৱাৰ পৰা ওপজি পিছে 'সত' হোৱা হৈ পৰিল। এই কথাৰ উত্তৰত সুধিব পাৰি যে শাস্ত্ৰে যে স্থলত 'সত' শব্দ ব্যৱহাৰ কৰিছে—'সত' মানে সনাতন যি অনাদি কালৰে পৰা আছে। তেনে হলে 'অসতো সত জায়তে' এই কথা মই হলে শাস্ত্ৰৰ ভুল বুজো। বাইবেলতো পোৱা মনত পৰে "God created the universe out of nothing" এই দুইটীয়েই একে ভুল বিচাৰৰ কথা। একো নোহোৱাৰ পৰা কিবা হব পাৰেনে আৰু বীজ বা গুটী নোহোৱাৰ পৰা গছ হয় কেনেকৈ? এই কথাটিও ওলোট পাকত সুধিব পাৰি যে গছ নোহোৱাকৈ গুটি হল কৰ পৰা? গোটেই জগত ব্ৰহ্মাণ্ড যি পৰমানুৰ পৰা সৃষ্টি সেই পৰমাণুয়েহে বীজ। বিজ্ঞানে কি কয় দেখাও। আগতে উল্লেখ কৰি দেখাই আহিছোঁ যে কশ্যপ কোষৰ (Ovum) পৰা নানা প্ৰাণী উৰণ, ঘূৰণ, গজন ভ্ৰমণ এই চাৰিটি জীৱ সৃষ্টি হৈছে। ইয়াকেই আজি কালি বৈজ্ঞানিক সকলে Protoplasm নানা তৰহৰ জীৱ কোষ বুলি অনুমান কৰে। ইয়াক ইংৰাজী ভাষাত কয় Living matter অৰ্থাৎ সজীৱ পদাৰ্থ। এয়ে হৈছে জীৱ কোষ। এতেকে প্ৰমাণ হয় বীজ বা গুটীহে আদি। সৃষ্টি তত্ত্ব বুজা বৰ টান কথা। সৰ্ব্বব্যাপক ভগবানৰ লীলা কোনেও তত ধৰিব নোৱাৰে যদিও পণ্ডিত সকলৰ মন ক্ষান্ত নেথাকে কিয়নো মানুহক ভগবানে অনুসন্ধান কৰা মন দান কৰিছে। মানুহ যে কেনে আচৰিত জীৱ তাক চিন্তা কৰি তধা মানিব লগাত পৰে। আমেৰিকাৰ এমাৰ পণ্ডিতে কৈ গৈছে যে "Why man searches miracle while he himself is a miracle of the miracles" অৰ্থাৎ মানুহে কিয় অদ্ভুত ব্যাপাৰ বিচাৰে যি স্থলত মানুহ নিজেই অদ্ভুততকৈও অদ্ভুত। এইটি অতি অভ্ৰান্ত সত্য কথা। এই অদ্ভুত মনুষ্য জীৱটিক ভগবানে স্বাধীন কৰি সৃষ্টি কৰিছে, তেওঁ পৰমাত্মাই নিজৰ অংশ দি। মনুষ্য সৃষ্টিৰ অতি আদিতে মানুহটি কেনে হব লাগে তাক বেদেও দেখাইছে "যথা পূৰ্ব্বমকল্পয়েৎ শান্তৰি মথচঃ" ইয়াৰ মানে হৈছে সৃষ্টি কৰ্ত্তা ভগৱানে মানুহক কিভাবে সৃষ্টি কৰিব অতি আগতে চিন্তা কৰি সৃষ্টি কৰিছে।

মানুহৰ হৃদয়ত জ্ঞান, বুদ্ধি, বিবেক প্ৰেম থাপনা কৰি তেওঁক জানিবলৈ আৰু জ্ঞান প্ৰচাৰ কৰিবলৈ সকলো মানুহক সমান কৰি যাক যিগুণ বিধাতাই দিছে সেই গুণ বিলাক যাৰ যেনেকৈ খাতে সেই শিক্ষা দিবলৈ সৃষ্টি কৰিছে, কিন্তু জ্ঞান ক্ৰম বিকাশৰ অধীন। মানুহ জন্তু অৱস্থাৰ পৰা কেনেকৈ ক্ৰমোন্নতি সাধি মানুহ হৈছে তাৰ বিষয় লাহে লাহে উনুকিয়াই থাকিম, প্ৰবন্ধ দীঘল হয় ভাবি আজিলৈ ইমানতে খান্ত থাকিলো।

ভুল শুধৰণি

ষষ্ঠ বছৰৰ ২য় (আঘোন) সংখ্যাত ছপা হোৱা

"প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্ধযুগৰ ৰজা আৰু ৰাজবংশ" প্ৰবন্ধত

পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
১৪৭	১৪	দুৰ্লভনাৰায়ণ	ইন্দ্ৰনাৰায়ণ
১৫০	২০	ভনীয়েক	জীয়েক
১৫১	৫	পম	পদ্ম

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা

মহিলা জগত



শ্যামৰ প্ৰথম সৌন্দৰ্য্য প্ৰতিযোগিতা—প্ৰত্যেক জিলাৰ পৰা বেছকত আহি এই সৌন্দৰ্য্য প্ৰতিযোগিতাত যোগ দিয়া মহিলা সকলৰ কেথাবাকীমান।

৫২৭৭/অ:

অসম সাহিত্য সভা ASSAM SAHITYA SABHA



'মিচ শ্যাম'—মিচ কমু ডিয়ান স্বৰাং প্ৰতিযোগিতাত সৌন্দৰ্য্য প্ৰথম বুলি ঘোষণা কৰাৰ পিছত মুকুট লৈছে।



তুৰস্কৰ স্বাধীনতা সংগ্ৰামৰ বীৰ নাৰী খালেদা এদিব খানম

১৪, জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাস প্ৰেছ লিঃ ডাঃ শ্ৰীৰাননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

৫২৭৮/অ:
১১.৫.৯৯



প্ৰলোভন।

ASSAM SAHITYA SABHA

৫২৭৮/অ:



৬ষ্ঠ বছৰ, ৬ষ্ঠ সংখ্যা] চ'ত [১৮৫৬ শক

'বেদ স্বতঃ প্রমাণ'

[মীমাংসকৰ মতে]

—শ্রীযুত মনোৰঞ্জন শৰ্ম্মা স্মৃতি শাস্ত্ৰী

মানুহৰ পাশবিক শক্তি যি পৰিমাণে আছে তাৰ লগে লগে বিচাৰ শক্তিও সেই পৰিমাণে আছে। গতিকে মানুহ পশু শ্ৰেণীতকৈ ওখ খাপত উঠিব পাৰিছে আৰু ক্ৰমশঃ উন্নতিৰ বাটত আগ বাঢ়িব পাৰিছে। এই বিচাৰ শক্তি থকা বাবে মানুহে নিজৰ পাশবিক প্ৰবৃত্তিবোৰক সংযত আৰু নিয়মিত ভাৱে পৰিচালনা কৰি জ্ঞান-বিজ্ঞানৰ পোহৰ দেখিবলৈ পাইছে। সেই কাৰণে যি ব্যক্তি বা জাতিয়ে যি পৰিমাণে সংযম আৰু নিয়মৰ দ্বাৰা পাশবিক বৃত্তিক সংযত কৰি নিজৰ বা জাতিৰ উন্নতি বিধান কৰিবলৈ সমৰ্থ হয় সেয়ে সেই পৰিমাণে সভ্য জগতত সুখ্যাতি লাভ কৰে। এই সভ্যতাৰ সুমধুৰ ফলৰ সোৱাদ প্ৰথমতে ভাৰত-বাসীয়েই ভোগ কৰিছিল। অকল সেয়ে নহয়। ভাৰতীয় সভ্যতাৰ স্নিগ্ধ শীতল জোনাকে এদিন সমুদায় পৃথিবীক পোহৰ দিছিল। ভাৰতৰ জ্ঞান-বিজ্ঞান, শিল্প-বাণিজ্য, সাহিত্য-শিক্ষা, ধৰ্ম্ম-কৰ্ম্ম, চিন্তাধাৰা আৰু প্ৰভুত্ব-

বীৰত্ব আদিৰ গৰিমাই পৃথিবীকে মুগ্ধ কৰিছিল। সেই প্ৰাচীন ভাৰতৰ অতুল সম্পদৰ লগত বৰ্ত্তমান ভাৰতৰ ৰিক্তপ্ৰায় অৱস্থা ৰিজালে পাৰ্থক্য ওলাই পৰে। মানুহ যেনে অস্থায়ী তাৰ সুখ-সম্পদ, শিক্ষা-দীক্ষা, সমাজ-সভ্যতা আৰু ৰাষ্ট্ৰ প্ৰভৃতিও তেনে পৰিবৰ্ত্তনশীল। একেৰাহে এটা জাতিয়ে অনন্ত কাললৈ উন্নতিৰ উচ্চতম আসন অধিকাৰ কৰি থকাটো এই নিয়মৰ বিৰুদ্ধ। যি জাতি এদিন সকলোতকৈ সুসভ্য বা শিক্ষিত, সেই যে এদিন অসভ্য বা অশিক্ষিত নামে অভিহিত। নিয়তিৰ এই অনিয়ত নিয়মৰ বশীভূত সকলোৱে; গতিকে ভাৰতেও এই নিয়ম অতিক্ৰম কৰিব পৰা নাই। ভাৰতবাসীৰ পক্ষে এয়ে বৰ বেছি সৌভাগ্যৰ বিষয় যে নানা বিপৰ্য্যয়ৰ মাজতো তেওঁলোকে পূৰ্ব্ব পুৰুষৰ গৌৰৱৰাশি প্ৰাচীন সভ্যতাৰ নিদৰ্শনবিলাক আংশিক ভাৱে হলেও ৰক্ষা কৰিব পাৰিছে। হিন্দুৰ দৰ্শন শাস্ত্ৰ-বোৰো প্ৰাচীন ভাৰতবাসীৰ উচ্চতম চিন্তাধাৰাৰ সুস্পষ্ট নিদৰ্শন। এই দৰ্শন শাস্ত্ৰবোৰৰ যুক্তিৰ গভীৰতালৈ চাই পৃথিবীৰ বহু দাৰ্শনিকে প্ৰাচীন ভাৰতৰ ওখ খাপৰ চিন্তাধাৰাক শত মুখে প্ৰশংসা কৰিছে।

যেনেকৈ অনন্ত ৰত্নৰ ভঁৰাল বিশাল সমুদ্ৰৰ বুকুত অলেখ তৰঙ্গমালা ক্ৰমে এটাৰ পাছত এটা আহিব লাগিছে আৰু মুহূৰ্ত্তৰ ভিতৰতে কাৰো বাধা-বিঘিনি হাক-বাধালৈ কাণ নকৰি অনন্তত বিলীন হব লাগিছে, তেনেকৈ মানুহৰ চিন্তাৰাশিও মনত উদয় হৈছে আৰু মাৰ গৈছে। সেই চিন্তাৰাশি যদিও এনে ক্ষণস্থায়ী যে সিহঁতৰ এটাৰ লগত আনটোৰ সহাৱস্থান কেতিয়াও সম্ভৱপৰ নহয় তথাপি পৰ্ব্বতীয়া নৈৰ ক্ষীণ প্ৰবাহে যিদৰে শত শত বাধা অতিক্ৰম কৰিও গন্তব্য স্থানলৈ বৈ যায় আৰু ক্ৰমশঃ নিজৰ সৰু জুৰিটিক বহল, সৰল আৰু সুগম কৰি তোলে, সেই দৰে মনোগত চিন্তা-সোঁতেও প্ৰথমে সি ক্ষীণ বা দুৰ্ব্বল হলেও যি বাট ধৰি চলিবলৈ আৰম্ভ কৰে নাইবা যি বাটটিকে নিজৰ কাৰ্য্য-সিদ্ধিৰ উপযুক্ত বুলি ভাবে ক্ৰমে সেই বাটকে ধৰি আগ বাঢ়ে আৰু সকলো বাধা-বিঘিনিলৈ আওকাণ কৰি অৱলম্বিত পথটিকে বিস্তাৰ আৰু পৰিষ্কাৰ কৰিবলৈ যত্ন কৰে। এয়ে সনাতন, অপৰিৱৰ্ত্তনীয় আৰু অনতিক্ৰমণীয় নিয়ম। এই কথা কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে আৰু এয়ে হল ভাৰতীয় দাৰ্শনিক চিন্তা আৰু দৰ্শন শাস্ত্ৰৰ আবিৰ্ভাৱৰ হেতু।

এই দেশৰ পুৰাতত্ত্ববিদসকলে নানা গবেষণাৰ ফলত এই সিদ্ধান্তত উপনীত হৈছে যে এই প্ৰকৃতি দেৱীৰ লীলা নিকেতন পুণ্যভূমি ভাৰতবৰ্ষত এদিন এনে এটা সময় আহিছিল যি সময়ত ভাৰতীয় মানৱ সমাজৰ মানস আকাশ বৈদিক ধৰ্ম্মৰ উজ্জ্বল কিৰণৰ দ্বাৰা প্ৰতিভাত হৈ আছিল—তাৰ বিপৰ্য্যয় অলপ সময়ৰ বাবেও হোৱা নাছিল। সেই সুসময়ত নাছিল ভাৰতত সংশয় ৰূপ আঁউসী নিশাৰ ঘনঘোৰ আন্ধাৰ, নাছিল তৰ্ক ৰূপ ধুমুহাৰ উৎপাত, নাছিল বিতণ্ডা ৰূপ মেঘৰ গভীৰ গৰ্জ্জন, নাছিল ধৰ্ম্ম-বিপ্লৱ ৰূপ বিষম বজ্ৰপাত আৰু নাছিল পৰস্পৰ হিংসা ৰূপ কুৎসিত ভাব। সেই পৰম শান্তিময় ৰমণীয় চিৰস্মৰণীয় যুগত ভাৰতৰ জ্ঞানপিপাসু নৰ-নাৰীয়ে বৈদিক ধৰ্ম্ম ৰূপ কল্পতৰুৰ সুশীতল ছাঁত আশ্ৰয় লৈ বেদ স্বৰূপ ক্ষীৰ সমুদ্ৰৰ জ্ঞানময় অমৃতধাৰা আকণ্ঠ পান কৰি অনন্ত তৃপ্তি লাভ কৰিছিল; নিজ নিজ কৰ্ত্তব্য সম্পাদনৰ দ্বাৰা অভীপ্সিত ফল লাভ কৰি পৰম শান্তিত দীৰ্ঘ জীৱন যাপন কৰিছিল, আৰু নিজক কৃতাৰ্থ বুলি ভাবিছিল। কুটিল কালৰ গতি কোনোমতে বাধা দিয়া সম্ভৱ নহয়; সময়ে কাৰো সুখ-দুখ, ইচ্ছা-অনিচ্ছালৈ অলপো অপেক্ষা নকৰে; অবিৰাম ভাবে অনন্তৰ লক্ষ্যত চলিছে। সেই মহা মহিমাময় কালৰ অমোঘ আৱৰ্ত্তনৰ লগে লগে ভাৰতবাসীৰো সুখৰ নিশাৰ অন্ত পৰিল, শান্তি নিদ্ৰা ভঙ্গ হল, ক্ৰমশঃ বৈদিক ধৰ্ম্মৰ বিষয়ে মানুহক সংশয় মোহময় ৰাগিণীৰ তালে মুগ্ধ কৰি পেলালে। মোহ মদিৰা মত্ত ভাৰতবাসীয়ে নিজক পাহৰিলে। পুৰণি, দুৰ্ব্বল, জীৰ্ণ শীৰ্ণ আৰু সমাজৰ বান্ধ ছিঙি ঐহিক ভোগ-বিলাসৰ সেৱাত আত্মনিয়োগ কৰিলে। সেই সূক্ষ্ম সংশয় বাঢ়ি ভাৰতক বুৰাই পেলাবলৈ উপক্ৰম

কৰিলে। সেই সংশয়ৰ বানপানীত নাস্তিকবাদৰ ঢৌ উঠিল। তাৰ চাকনৈয়াত পৰি ভাৰতবাসীৰ সত্য আৰু সৰল ধৰ্ম্মবিশ্বাস ছিনভিন হবলৈ ধৰিলে। সেই বানপানীৰ প্ৰকোপতে বেদ-কল্পতৰু লেৰেলিবলৈ ধৰিলে। তেতিয়া ত্যাগৰ প্ৰতিমূৰ্ত্তি প্ৰশান্তচিত্ত জীৱন্ত তেজোময় মহৰ্ষিসকলে উপস্থিত বিপদৰ পৰা ভাৰতবাসীক ৰক্ষা কৰিবৰ উপায় চিন্তা কৰিবলৈ ধৰিলে, আৰু ক্ৰমশঃ গোতম, কনাদ, কপিল, পাতঞ্জলি, জৈমিনি, বেদব্যাস এই ছজনে ন্যায়, বৈশেষিক, সাংখ্য, যোগ (পাতঞ্জল) পূৰ্ব্বমীমাংসা, উত্তৰ মীমাংসা, এই ছখন বেদানুমোদিত আস্তিক দৰ্শন শাস্ত্ৰ প্ৰণয়ন কৰি, নাস্তিক্যবাদ খণ্ডন কৰিবলৈ লাগিল (১)।

এই ছখন দৰ্শনৰ দ্বাৰা সংশয়বাদ ক্ৰমশঃ আঁতৰি যাবলৈ ধৰিলে, আৰু লাহে লাহে ভাৰতত আকৌ শান্তি স্থাপিত হল। যদিও এই ছখন দৰ্শনৰ কোনখন আগে হল আৰু কোনখন পিছত হল থিৰ কৰা অসম্ভৱ, তথাপি অনেক মনীষী এই তলত লিখা সিদ্ধান্ততে মত দিয়ে, আৰু যুক্তিৰো প্ৰাবল্য এখেতসকলৰ পক্ষেই বেছি দেখা যায়।

"স্বদাৰ পৰদাৰেষু যথেচ্ছং বিহৰেৎ সুখম।
যাবজ্জীৱেৎ সুখং জীৱেৎ ঋণং কৃত্বা ঘৃতং পিবেৎ
ন স্বৰ্গো নাপবাৰ্গোবা নৈ বাত্মা পাৰলৌকিকঃ"॥

যেতিয়া বৃহস্পতিৰ কপট শিষ্য, নাস্তিক শিৰোমণি চাৰ্ব্বাকৰ এইবোৰ মতে, ভাৰতবাসীৰ হৃদয় ৰাজ্যত উপনিবেশ স্থাপন কৰি প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে, তেতিয়া মহামুনি গোতমে ভাবিলে যে এই সময়ত অতি সূক্ষ্ম দুৰ্জ্ঞেয় গভীৰ ব্ৰহ্মতত্ত্বৰ উপদেশ দিলে সমাজৰ কোনো উপকাৰ নহব, বৰঞ্চ বিপৰীত ফলহে ফলিব পাৰে গতিকে সেই সুচিকিৎসক মহৰ্ষিয়ে ৰোগীৰ অৱস্থা বুজি ব্যৱস্থা কৰিলে, অৰ্থাৎ প্ৰথমতে ব্ৰহ্মবিদ্যাৰ উপদেশ নিদি, দেহাত্মবাদ (দেহেই আত্ম) খণ্ডন কৰি নানা যুক্তিৰে প্ৰতিপাদন কৰিলে, যে দেহ, ইন্দ্ৰিয়, প্ৰাণ-মন, আদি আত্মা নহয়। এইবিলাক মাত্ৰ আত্মাৰ ভোগৰ কাৰণহে। আত্মা নিত্য, কৰ্ত্তা দুখৰ ভোক্তা, আৰু ইহলোক পৰলোকগামী ইত্যাদি। আৰু প্ৰমাণ কেৱল প্ৰত্যক্ষই নহয়, অনুমান উপমান আদিও যে প্ৰমাণ হয়, ইয়াকো তেখেতে বৰ ভাল যুক্তিৰে মানুহৰ মনত সুমাই দিলে। এইখিনি কৰিয়ে তেখেত ক্ষান্ত হল।

তাৰ পিছত মহাত্মা কণাদে দেখিলে যে নাস্তিক মত কিছু উপশম হৈছে যদিও, স্বভাৱকাৰণতা বাদ (স্বভাৱেই জগতৰ কাৰণ) ভালকৈ খণ্ডন হোৱা নাই। গতিকে তেখেতে গৌতমৰ অনুক্ত অংশ পূৰণ কৰিলে। তেখেতে পৰমাণুৰ (১) কাৰণতা বাদ স্থাপন কৰিবৰ বাবে—বৈশেষিক বা ঔলুক্য (১) দৰ্শন প্ৰণয়ন কৰি প্ৰমাণ কৰিলে যে এই বৈচিত্ৰময় সংসাৰৰ কাৰণ কেতিয়াও স্বভাৱ হব নোৱাৰে, কাৰণ স্বভাৱ নিজে অচেতন, নিজেই জড় পদাৰ্থ। সি ভাল বেয়া বিচাৰ কৰিব নোৱাৰে। গতিকে জীৱৰ অদৃষ্ট অনুসাৰে ঈশ্বৰৰ ইচ্ছাবশতঃ পৰমাণুৰ পৰাই ক্ৰমে এই বিচিত্ৰ জগতৰ উৎপত্তি হৈছে ইত্যাদি।

তাৰ পিছত ভগৱান্ (২) কপিলে দেখিলে যে ন্যায় আৰু বৈশেষিকৰ দ্বাৰা মানুহৰ হৃদয়ৰ পৰা নাস্তিকতা

(১) যিসকলে মৃত্যুৰ পাছতো আত্মাৰ অস্তিত্ব, জন্ম, আৰু পাপ পুণ্য অনুসাৰে দুখ-সুখ ফলভোগ হয় বুলি স্বীকাৰ কৰে, আৰু বেদ মানে সেইসকলক আস্তিক বোলে। যি সকলে এইবোৰ স্বীকাৰ নকৰে, অৰ্থাৎ যিসকলে ইয়াতে কৰ্ম্মভোগ শেষ হয়, পৰজন্ম নাই, পৰলোকো নাই, গতিকে পৰলৌকিক ফলৰ উপদেষ্টা বেদ মানিব নালাগে, এই বিশ্বাসৰ বশীভূত সেইসকলক নাস্তিক বোলে। "নাস্তিকাঃ বেদনিন্দুকাঃ" প্ৰচলিত শ্লোক।

(১) যিহতকৈ আন একো সূক্ষ্ম হব নোৱাৰে এনে অতি সূক্ষ্ম পদাৰ্থ। "জালে সূৰ্য্য মৰীচিস্থং ক্ৰসৰেণুধৰজঃ স্মৃতম্"। সূৰ্য্যৰ ৰশ্মিৰ মাজত অতি সূক্ষ্ম ৰেণু এবিধ থাকে তাৰ নাম ক্ৰস ৰেণু, তাৰ ১/৬ ছ ভাগৰ এভাগৰ নাম পৰমাণু, মুঠ কথা পৰমাণু ইমান সূক্ষ্ম যে কোনো ইন্দ্ৰিয় বা যন্ত্ৰৰ সাহায্যেৰে তাক মনিব নোৱাৰি।

(২) কণাদক উলুক মুনিও বোলে গতিকে তেওঁৰ প্ৰণীত দৰ্শনৰ নাম "ঔলুক্য"।

(৩) ঐশ্বৰ্য্যস্যসমস্তস্য, বীৰ্য্যস্য যশসঃ শ্ৰিয়ঃ। জ্ঞান বৈৰাগ্যয়োশ্চৈব ষন্নাং ভগইতীঙ্গনা॥ অৰ্থাৎ ঐশ্বৰ্য্য, বীৰ্য্য, যশস্যা, শ্ৰী, জ্ঞান, বৈৰাগ্য এইবোৰক "ভগ" বোলে। এইবোৰ যাৰ আছে সেয়ে ভগৱান্; গতিকে কৃষিসকলকো ভগৱান বোলা যায়।

আঁতৰিছে আৰু অধ্যাত্ম চিন্তাৰ প্ৰতিও আগ্ৰহ দেখা গৈছে। তেতিয়া তেখেতে কিছু আগ বাঢ়ি গৈ সময় বুজি প্ৰকৃত বিবেক জ্ঞানৰ উপযোগী আত্মতত্ত্বৰ উপদেশ দিলে। তেখেতে নিজৰ প্ৰণীত সাংখ্য দৰ্শনৰ দ্বাৰা প্ৰতিপাদন কৰিলে যে আত্মা দেহ ইন্দ্ৰিয় আদিৰ অতীত, ইহ পৰলোকগামী, অখণ্ড,অনন্ত, আৰু দেশ (শৰীৰ) ভেদে ভিন ভিন। আত্মা নিত্য চৈতন্য স্বৰূপ, উদাসীন আৰু অক্ৰিয়। কৰ্ত্তৃত্ব ভোক্তৃত্ব ধৰ্ম্মবোৰ প্ৰকৃতিজাত বুদ্ধিৰ গুণ, ই কেৱল অবিবেকবশতঃ আত্মাত প্ৰতিভাত হয়। বুদ্ধি ধৰ্ম্মকে আত্ম ধৰ্ম্ম বুলি লোকে ভাবে যদিও সি মাত্ৰ ভ্ৰম হে। এই অবিবেক দূৰ হলেই মানুহৰ অনৰ্থ গুচে। প্ৰকৃতি আৰু আত্মাৰ পাৰ্থক্য জ্ঞান হৈছে ভ্ৰম আঁতৰাবৰ উপায়। প্ৰকৃতি স্বত্ব ৰজস্তমোগুণাত্মিকা (৩) পৰিণাম স্বভাৱা আৰু জড় পদাৰ্থ। এই প্ৰকৃতিৰ স্বৰূপ সত্ব ৰজঃ তমঃ এই তিনি গুণেই জগতৰ উপাদান কাৰণ।

কণাদ মুনিয়ে নাস্তিক্যবাদ কলুষিত মানৱ সমাজক সন্তুষ্ট ৰাখিবৰ বাবে পৰমাণুবাদ বা ঈশ্বৰ প্ৰতিষেধ প্ৰভৃতি অসত্য সিদ্ধান্তও স্বীকাৰ কৰি লব লগীয়া হৈছিল। নহলে নাস্তিকৰ সম্পূৰ্ণ বিৰোধী উপদেশ সেই সময়ত কোনে শুনে? বৰং দেহাতিৰিক্ত আত্মাৰ সত্তাবাদ আৰু জন্মান্তৰ-বাদ আদিও পৰ্য্যুদস্ত হে হব পাৰে। গতিকে গোতম আৰু কণাদে এই পৰ্য্যন্ত গৈয়ে ক্ষান্ত হল। তাৰ পিছত কপিলে আৰু কিছু আগ বাঢ়ি গৈ কেইটামান নতুন বিষয় লোকক দেখুৱালে আৰু তাৰ পৰাই বিদায় ললে।

তাৰ পিছত মহৰ্ষি পতঞ্জলিয়ে দেখিলে, কপিলৰ সিদ্ধান্তই লোক সমাজত প্ৰতিষ্ঠা লাভ কৰিছে আৰু অধ্যাত্ম জ্ঞানতো সমাজ অনেক আগ বাঢ়িছে; গতিকে তেখেতেও ছেগ বুজি বেগ দিলে সমাজৰ যোগমাৰ্গ জ্ঞানৰ অভাৱ পূৰণ কৰিবলৈ যোগ দৰ্শন (পাতঞ্জল দৰ্শন) নিৰ্ম্মাণ কৰিলে, যোগ সিদ্ধিৰ উপায় বুলিয়ে ঈশ্বৰৰো প্ৰসঙ্গ তুলিলে। সেই সময়ত তেখেতে মানুহ-বিলাক ব্ৰহ্মবিদ্যা উপদেশৰ উপযুক্ত হোৱা বুলি না-ভাবিলে; গতিকে ঈশ্বৰক জীৱসুলভ ক্লেশ কৰ্ম্মাদি দোষশূন্য পুৰুষ বিশেষ কৰি থৈ গল। কেৱল পতঞ্জলিয়ে জ্ঞানযোগ, ক্ৰিয়াযোগ, যোগফল প্ৰভৃতি বিষয়বোৰ লোকক বুজাই দিয়ে জিৰণি ললে।

এইবোৰ দৰ্শন শাস্ত্ৰৰ প্ৰচাৰৰ দ্বাৰা নাস্তিকতাৰ সোঁত বন্ধ হলত জন্মান্তৰবাদ আৰু পৰলোক চিন্তাই মানুহৰ হৃদয়ত ঠাই পালে; ব্ৰহ্মাৰ স্বৰূপ জানিবলৈ মানুহৰ আগ্ৰহ হল সঁচা, কিন্তু তেতিয়াও বেদৰ স্বতঃ প্ৰাধান্য সম্বন্ধে মানুহৰ সংশয় দূৰ হোৱা নাই অথচ বেদবাক্যত বা বেদাৰ্থত দৃঢ় প্ৰত্যয় নহলে একমাত্ৰ অলৌকিক ব্ৰহ্মতত্ত্ব হৃদয়ঙ্গম কৰা অসম্ভৱ। ইফালে কৰ্ম্মযোগৰ অনুষ্ঠানৰ প্ৰচলন তেতিয়াও হৈ উঠা নাই। কৰ্ম্মযোগৰ অনুষ্ঠান নহলে মন শুদ্ধ নহয়। অপবিত্ৰ মনেৰে ব্ৰহ্মতত্ত্ব গ্ৰহণ কৰা কঠিন হৈ পৰে। এইবোৰ ভাবি মহামুনি জৈমিনিয়ে এইবোৰৰ অভাৱ পূৰাবলৈ যত্নবান হল আৰু পূৰ্ব্ব মীমাংসা দৰ্শন প্ৰণয়ন কৰিলে। এই ঠাইতে আমাৰ প্ৰবন্ধৰ বিষয়ে বেদৰ স্বত প্ৰামাণ্যৰ বিচাৰ তোলা উচিত হলেও সৰ্ব্বশেষ দৰ্শন ব্ৰহ্মবিদ্যা প্ৰতিপাদক উত্তৰ মীমাংসা (বেদান্ত)ৰ বিষয়ে অলপো উল্লেখ কৰা নহয় দেখি সেই বিষয়ে যিমান সম্ভৱ সংক্ষেপে আলোচনা কৰি মূল বিষয়ত ধৰা হব।

এতিয়া কথা আহিল বেদান্ত বা ব্ৰহ্মমীমাংসাৰ। জগতৰ মঙ্গলাঙ্ক্ষী মহৰ্ষিসকলৰ নিপুণ চেষ্টা আৰু উদাৰ উপদেশৰ ফলত জন সমাজৰ মনত পৰলোকৰ অস্তিত্ব, আত্মাৰ অস্তিত্ব, নিত্যতা বুদ্ধি আৰু বেদ বাক্যত বিশ্বাস দৃঢ় হল আৰু মহাজনসকলৰ সুব্যৱস্থাত প্ৰকৃতি পুৰুষৰ বিবেক জ্ঞানত প্ৰলুব্ধ হল। যোগ আৰু যাগৰ অনুষ্ঠানত মানুহৰ প্ৰবৃত্তি হল। সেই সময়ত মহামতি ভগৱান বেদব্যাসে জীৱ নিস্তাৰৰ শেষ উপায় বেদসাৰ উপনিষদৰ প্ৰতিপাদ্য পৰমহংস ব্ৰহ্মবিদ্যাৰ উপদেশ দিবলৈ বদ্ধ পৰিকৰ হল আৰু বেদান্ত দৰ্শন প্ৰণয়ন কৰিলে। তেখেতে নানা সূক্ষ্মাতিসূক্ষ্ম যুক্তিৰে বুজাই দিলে, যে দৃশ্যমান জগৎ স্বপ্নবৎ, অলীক, মায়াময়,

(৩) সত্ত্বৰজস্তমসাং সাম্যাৱস্থা প্ৰকৃতিঃ ॥—সাংখ্যদৰ্শন।

ক্ষণিক; জীৱ নিত্য মুক্ত, অখণ্ড, অনন্ত, আৰু ব্ৰহ্মস্বৰূপ। এই সমস্ততে ব্ৰহ্মবুদ্ধি হলেই জীৱৰ মুক্তি বা নিৰ্ব্বাণ (১) হয়; আৰু বেদ স্মৃতি পুৰাণ আদি শাস্ত্ৰবো এয়ে চৰম লক্ষ্য।

এই সমুদায় দৰ্শনক সাধাৰণতে দুই ভাগ কৰিব পাৰি; যেনে শ্ৰৌত দৰ্শন আৰু স্মাৰ্ত্ত দৰ্শন, * যি কেইখন, প্ৰধান ভাৱে শ্ৰুতি আৰু শ্ৰৌত পদাৰ্থ নিৰূপণৰ বাবে ৰচিত আৰু শ্ৰুতি প্ৰমাণৰ ওপৰতে সম্পূৰ্ণ ভাৱে প্ৰতিষ্ঠিত সেই কেইখন শ্ৰৌত দৰ্শন; আৰু যি কেইখন, শ্ৰুতিৰ অৰ্থ স্মৰণ কৰি নিজ নিজ বুদ্ধি পৰিকল্পিত তত্ত্ব নিৰূপণৰ বাবে নিৰ্ম্মিত ও প্ৰধানভাৱে লৌকিক যুক্তি তৰ্কৰ ওপৰত, প্ৰতিষ্ঠিত, সেইখন স্মাৰ্ত্ত দৰ্শন। এই অনুসাৰে পূৰ্ব্ব মীমাংসা আৰু উত্তৰমীমাংসা, এই দুইখন শ্ৰৌত দৰ্শন। ন্যায়, বৈশেষিক, পাতঞ্জল, সাংখ্য, এই কেখন স্মাৰ্ত্ত দৰ্শন, হৈ পৰে। কাৰণ, পূৰ্ব্ব মীমাংসা আৰু উত্তৰ মীমাংসা এই দুখন দৰ্শন শ্ৰুতিবাক্যৰ মীমাংসা কৰিছে। কিন্তু ন্যায় বৈশেষিক আদি দৰ্শনত নিৰ্দ্দোষ তৰ্ক যুক্তিৰ সাহায্যে নিজৰ অভিমত তত্ত্ব নিৰূপণৰ বাবে চেষ্টা কৰিছে, কেৱল শাস্ত্ৰৰ অৰ্থৰ অনুকূলে প্ৰমাণৰূপেহে শ্ৰুতিবাক্য (বেদবাক্য) তুলিছে।

আলোচ্য বিষয় অনুসাৰে আকৌ ছ'খন দৰ্শনক তিনভাগে বিভক্ত কৰিব পাৰি, যেনে ন্যায়, সাংখ্য, আৰু মীমাংসা। ন্যায়দৰ্শন দুই প্ৰকাৰ, গোতম প্ৰণীত, আৰু কণাদ প্ৰণীত। সাংখ্যও দুই ৰকমৰ। কপিলকৃত আৰু পতঞ্জলিকৃত। সেই দৰে মীমাংসাও দু'বিধ—জৈমিনিৰ প্ৰণীত আৰু ব্যাসদেৱ প্ৰণীত। ন্যায় আৰু বৈশেষিক দৰ্শনৰ ভিতৰত অংশ বিশেষত পৰস্পৰৰ মত ভেদ থাকিলেও প্ৰধান প্ৰধান অংশত বিশেষৰূপে মতভেদ নাই, কিছুমান বিষয়ত এক মত হে দেখা যায়। এই দুয়োখন দৰ্শনেই তৰ্ক প্ৰধান আৰু পৰমাণুবাদী। কপিলৰ সাংখ্য, আৰু পতঞ্জলিৰ যোগ দৰ্শনৰ সম্বন্ধেও এই কথা উভয়দৰ্শনেই প্ৰকৃতি-পুৰুষ প্ৰভৃতি পঁচিশ বিধৰ তত্ত্ব মানি নিজ নিজ সিদ্ধান্ত কৰিছে।

পূৰ্ব্বমীমাংসা আৰু উত্তৰ মীমাংসা পৰস্পৰৰ ভিতৰত কিমান দূৰ ঘনিষ্ট সম্বন্ধ তাক দুয়ো খনৰ নামৰ পূৰ্ব্ব আৰু উত্তৰ শব্দৰ পৰাই বুজা যায়, গতিকে এক মীমাংসাৰে দুটা ভাগ বুলিব পাৰি। আচাৰ্য্য ৰামানুজ স্বামীও নিজৰ "শ্ৰীভাষ্যত", কৰ্ম্ম মীমাংসা ও ব্ৰহ্মমীমাংসাক এক মীমাংসা শাস্ত্ৰৰে পূৰ্ব্ব আৰু উত্তৰ ভাগ বুলি প্ৰতিপাদন কৰিছে। গতিকে ছ'খন দৰ্শনক এইভাৱে তিন ভাগ কৰিলে বোধহয় অসঙ্গত নহয়। এই বিভাগৰ প্ৰতি লক্ষ্য কৰিয়ে শাস্ত্ৰকাৰ সকলে "সমান তন্ত্ৰ সিদ্ধান্ত" নামে এবিধ সিদ্ধান্তৰ (১) ব্যৱস্থা কৰিছে।

এই দৰ্শন শাস্ত্ৰবোৰ গোতমাদি মহৰ্ষি সকলৰ অসীম প্ৰতিভাৰ পৰিচায়ক হলেও, তেওঁ লোকৰ প্ৰতিভা প্ৰসূত কল্পনা মাত্ৰ নহয়। এইবোৰ দাৰ্শনিক তত্ত্ব আৰু আলোচনা পদ্ধতি এই দেশৰ অতি পুৰাতন সম্পদ। এই মহৰ্ষি সকলৰ বহু পূৰ্ব্বেও ভাৰতত ব্ৰহ্ম, জীৱ, জগৎ, বন্ধ মোক্ষ আৰু জন্মান্তৰ বিষয়ক আলোচনা আৰু দৰ্শনোচিত চিন্তা, সুধী সমাজতে প্ৰচলিত আৰু আদৃত আছিল। ইয়াৰ প্ৰমাণ ছন্দোগ্য, বৃহদাৰণ্যক আৰু তেত্তিৰীয় প্ৰভৃতি উপনিষদ বোৰত বহুল ভাৱে পোৱা যায়। কেৱল সোঁণাৰীয়ে যিদৰে পুৰণি ভগা ছিগা সোণ লগ লগাই অলঙ্কাৰত পৰিণত কৰে, সেই দৰে মনীষী সকলেও নানা ঠাইত বিক্ষিপ্তভাৱে পৰিথকা দাৰ্শনিক তত্ত্ব বোৰ এক ঠাই কৰি শাস্ত্ৰ ৰচনা কৰিছিল। হিন্দুৰ দৰ্শন শাস্ত্ৰ বোৰৰ

(১) বৌদ্ধ শাস্ত্ৰত নিৰ্ব্বাণ শব্দটোৰ বেছি ব্যৱহাৰ দেখা যায়। তাৰ বাহিৰে প্ৰায় প্ৰত্যেকদৰ্শনতে আত্যন্তিক দুঃখ নিবৃত্তি, নিঃশ্ৰেয়স্, মোক্ষমুক্তি এইবোৰৰহে উল্লেখ আছে।

* মহামহোপাধ্যায় শ্ৰীযুক্ত দুৰ্গাচৰণ সাংখ্য বেদান্ততীৰ্থৰ মত।

(১) সিদ্ধান্ত তিন বিধৰ ১। সতন্ত্ৰ সিদ্ধান্ত ২। প্ৰতিতন্ত্ৰ-সিদ্ধান্ত। ৩। সমান তন্ত্ৰ সিদ্ধান্ত। নিজশাস্ত্ৰ গত যি সিদ্ধান্ত তাৰ নাম স্বতন্ত্ৰ সিদ্ধান্ত। বিৰোধী শাস্ত্ৰৰ সিদ্ধান্ত, প্ৰতিতন্ত্ৰ সিদ্ধান্ত আৰু সমান শাস্ত্ৰৰ সিদ্ধান্ত সমান তন্ত্ৰ সিদ্ধান্ত। ন্যায় আৰু বৈশেষিক সাংখ্য আৰু পাতঞ্জল কৰ্ম্মমীমাংসা আৰু ব্ৰহ্মমীমাংসা, এই বিলাক পৰস্পৰে সমান তন্ত্ৰ। সেই বাবে ন্যায় দৰ্শনত যি কথা নাই বৈশেষিকত আছে। ন্যায় দৰ্শনত নোহোৱা কথা বৈশেষিকত থাকিলে, কোনো বিৰোধ নহলে ন্যায় দৰ্শনতো স্বীকৃত বুলি ধৰি লোৱা হয়। আন আন দৰ্শন সম্বন্ধেও এই নিয়ম ॥

ভিতরত আপাত দৃষ্টিত বিরোধ পরিলক্ষিত হলেও পরমার্থত অলপো বিরোধ নাই। যেনেকৈ নৈ বোৰ পর্ব্বতৰ পৰা ওলাই ভিন ভিন বাটৰে গৈও মহা সমুদ্ৰৰ লগত মিলিত হৈছে; তেনেকৈ হিন্দুৰ দৰ্শনবোৰেও বেদৰ পৰা ওলাই পৰস্পৰ বিৰোধী নানা বাটেদি পৰিচালিত হৈও চুৰ নিবৃত্তি আৰু তাৰ নিদান ব্ৰহ্মবিজ্ঞানৰূপ চৰম লক্ষ্য ঠাইত উপস্থিত হবলৈ কোনোৱে পাছবা নাই।

এই দৰ্শন শাস্ত্ৰবোৰ ঋষি সকলে নাম কৰিবৰ বাবে বা নিজৰ বিদ্যাৰ পৰিচয় দিবলৈ বুলি কৰা নাই; কেৱল সময়ৰ সোঁতত উটি ভাহি ফুৰা সমাজক মোহময় অন্ধকাৰৰ পৰা ৰক্ষা কৰিবলৈহে এইবোৰ ৰচিত হৈছে। তাৎকালিক অৱস্থা দেখি, যি যুক্তিৰ অবতাৰণা কৰা উচিত, সেই বোৰৰ হে অবতাৰণা কৰিছে, আৰু যেনেকৈ বিষাৰ মণ্ডপত উপস্থিত অনেক গন্ধ মান্ত ব্যক্তি থাকিলেও তাত দৰাব আসনেই সকলোতকৈ উচ্চ আৰু শ্ৰেষ্ঠ হয়; তাকে দেখি আন মাননীয় বা গুৰুজন ব্যক্তি দৰাতকৈ হীন বুলি বিবেচিত নহয় (১) তেনেকৈ সেই যুক্তিবে সেই স্থলত নিজৰ সিদ্ধান্তৰ উৎকৰ্ষতা ঘোষণা কৰিছে মাত্ৰ, সেই বুলি আনবোৰ অগ্ৰাহ্য, এনে কথা কোৱা নাই। গতিকে আপাততঃ বিৰুদ্ধতা দেখিলেও অপৰৰ নিন্দাৰ বাবে বুলি ধৰি লোৱা উচিত নহয়। যিসকলে ভাবে যে গোতমাদি মহৰ্ষি সকলৰ চিন্তাশক্তিৰ ওকত্ব আৰু বিদ্যা বুদ্ধিৰ গভীৰতা তেখেত সকলৰ স্বকৃত দৰ্শন বোবতে শেষ তেখেত সকলৰ বিদ্যাৰ বা বুদ্ধিৰ দৌড় সেই পৰ্য্যন্তই আছিল—সেই সকলবো সেইটো ভুলহে। কাৰণ, এজন লোক নানা বিষয়ৰ বিচক্ষণ পণ্ডিত হলেও অন্তস্থ ভেদে বা অনুৰাগ বশতঃ এক বিষয়ে মাত্ৰ অনুশীলন কৰিয়ে ক্ষান্ত হয়। মহৰ্ষি পাণিনিয়ে কেবল ব্যাকৰণ বচনা কৰিছে বুলি তেখেতৰ ব্যাকৰণৰ হে জ্ঞান আছিল আন শাস্ত্ৰৰ জ্ঞান নাছিল, এই কথা কলে বলিয়াকি কৰা হব। বিশেষতঃ তেখেত সকলৰ দৰ্শন বচনা, নামৰ বাবে নহয়; গতিকে উদ্দেশ্য সিদ্ধিৰ বাবে সেই সময়ত যি যি যুক্তিৰ বা প্ৰমাণৰ দৰকাৰ হৈছিল সেই বোৰৰ হে উন্মেষন কৰিছিল বুলি পূৰ্ব্বে কোৱা হৈছে। তাৰ দ্বাৰাই উদ্দেশ্য সিদ্ধি হলে মিতভাষী মুনিয়ে বিনাকাৰণে বাকাব্যয় কৰিব কিয়? সি যিয়ে হক, এতিয়া এই বোৰ কথা এবি আমাৰ উদ্দেশ্য বিষয় আলোচনা কৰা য'ক।

হিন্দুৰ বেদ স্বতঃ প্ৰমাণ, বেদে নিজৰ প্ৰামাণ্য ৰক্ষা কৰিবৰ বাবে কোনো ইতৰ প্ৰমাণৰ অপেক্ষা নকৰে। যি বেদ বিৰুদ্ধ তাক আস্তিক হিন্দুৱে কোনো মতে গ্ৰহণ কৰিবলৈ সাজু নহয়। এয়ে স্বৰ্গস্থ নিষ্ঠ হিন্দুসমাজৰে বদ্ধমূল ধাৰণা। স্মৃতিসংহিতা আৰু পুৰাণ আদি শাস্ত্ৰৰ সিদ্ধান্তকো হিন্দুসকলে বেদমূলক বুলিহে গ্ৰহণ কৰে।

বেদবিৰুদ্ধ স্মৃতিৱেই হওক নাইবা পুৰাণেই হওক কাৰো প্ৰামাণ্য নাই (১) গতিকে ধৰ্ম্ম সংহিতাকাৰ আৰু পুৰাণ কাৰেও বেদৰ গাত ভুল দিহে স্বৰচিত শাস্ত্ৰৰ প্ৰামাণ্য ৰক্ষা কৰিব পাৰিছে। সেই হিন্দুৰ ঐহিক আৰু পাৰত্ৰিক সকলো সুখৰ নিদান বেদৰূপণ শব্দৱাশ্ৰি যে কোনো নিৰ্দ্দিষ্ট কালত কোনো নিৰ্দ্দিষ্ট পুৰুষ বা নাৰী বিশেষৰ দ্বাৰা নাইবা বহুত নৰনাৰীৰ দ্বাৰা বচিত হৈছে, ইয়াক কোনো ধৰ্ম্মপ্ৰাণ হিন্দুৱে স্বীকাৰ নকৰে। এই কথা কেনোবাই কলেও তেওঁলোকৰ মনত অশান্তি আছে আৰু যথাসাধ্যে প্ৰতিবাদ কৰে।

পৃথিবীৰ আন আন ধৰ্ম্মাৱলম্বী সকলো সভ্যজাতিৰ আদিম ধৰ্ম্মগ্ৰন্থ কোনো এক নিৰ্দ্দিষ্ট সময়ত কোনো এক পুৰুষ বিশেষৰ দ্বাৰা বচিত হৈছে; এই কথা সকলো ধৰ্ম্মাৱলম্বী জাতিয়ে মানি লৱলৈ অলপো সঙ্কোচ নকৰে। কিন্তু হিন্দু জাতিৰ প্ৰধানতম আদিম ধৰ্ম্ম গ্ৰন্থ বেদক কিয় যে অপৌৰুষেয় আৰু সনাতন বুলি স্বীকাৰ কৰে; ই ভাবিবৰ, জানিবৰ আৰু আলোচনা কৰিবৰ বিষয়। যদিও এই আলোচনা অনেকৰ পক্ষে আৱশ্যকীয় আৰু অপ্ৰীতিকৰো হব পাৰে, তথাপি সংস্কৃত অনভিজ্ঞ ধৰ্ম্মপ্ৰাণ অসমীয়া হিন্দু দুই চাৰি জনৰ পক্ষে আৱশ্যকীয় আৰু কচিকৰ হব পাৰে। অৱশ্যে দেশে বিদেশে বহুত মনীষীয়ে এইসম্বন্ধে বহুত আলোচনা কৰিছে সঁচা, আৰু তেখেত সকলৰ আলোচনাৰ ওচৰত মোৰ আলোচনা কেৱল প্ৰলাপ যেন হলেও এই প্ৰবন্ধৰ প্ৰতিবাদ কৰিবলৈকো যদি কোনো দাৰ্শনিকে এই বিষয়ে আলোচনাত প্ৰবৃত্ত হয়, অন্ততঃ তাৰ পৰাও সত্যানুসন্ধিৎসু হিন্দুৰ যৎকিঞ্চিৎ উপকাৰ হব। কিন্তু এই যিনিতে ইয়াকো উল্লেখকৰা অপ্ৰাসঙ্গিক নহব যে এই সম্বন্ধে যিমান দূৰ সম্ভৱ শক্তি অনুসাৰে পূৰ্ব্বাচাৰ্য্য সকলৰ অনুসৰণ কৰিবলৈযে চেষ্টা কৰিছোঁ। আধুনিক দাৰ্শনিক সকলৰ কিছুমান পূৰ্ব্বাচাৰ্য্য সকলৰ সিদ্ধান্তৰ বা যুক্তিৰ অনুসৰণ নকৰি নিজ নিজ বুদ্ধি মতেও আলোচনা কৰিছে আৰু এটা নহয় এটা সিদ্ধান্ততো উপস্থিত হৈছে কিন্তু কোৱা বাহুল্য যে এই সকলৰ পৰস্পৰৰ সিদ্ধান্ত আৰু আলোচনা প্ৰণালীত পৰস্পৰৰ ভিতৰত কম বেছি ভাবে মতভেদ আছে। গতিকে কাৰ মত সত্য আৰু কাৰ মত অসত্য ঠিক কৰিবৰ উপায় নাই। অৱশ্যে এইটো জানিবাৰিচা লাগে যে, আগৰ ভবি পিৰ ভাবে নিদিয়াকৈ পাছৰ ভবি দাঙ্গিলে পৰি যোৱাৰ আশঙ্কা থাকে সেইবাবে আধুনিক সিদ্ধান্তৰ প্ৰামাণিকতা যি পৰ্য্যন্ত ঠিক নহয় সেই পৰ্য্যন্ত পূৰ্ব্বাচাৰ্য্য সকলৰ সিদ্ধান্ত অনুসৰণ কৰাই বেয়া নহয়। আৰু এয়ে বহু ডাঙৰ ডাঙৰ মানুহবো মত। বেদৰ অপৌৰুষেয়ত্ব আৰু অপৌৰুষেয়ত্ব সম্বন্ধে হিন্দু শাস্ত্ৰাকাৰ সকলো একমত বুলি কব পাৰি। এই সম্বন্ধে সকলো হিন্দুদৰ্শন শাস্ত্ৰৰ মত দেখুৱাবলৈ গলে এই প্ৰবন্ধ আশাতীত কপ দীঘলীয়া হৈ পৰিবৰ ভয় আছে। গতিকে নিদৰ্শন, বেদ ব্যাখ্যাৰ উদ্দেশ্যেই ৰচিত হৈছে, সেই বেদব্যাখ্যাৰ প্ৰধানতম পথপ্ৰদৰ্শক পূৰ্ব্ব মীমাংসা দৰ্শনৰ আচার্য্য সকলৰ এই সম্বন্ধে সিদ্ধান্ত কি, আৰু তেখেত সকলে নিজৰ সিদ্ধান্তৰ অনুকূল কেনে বিধৰ যুক্তি বা প্ৰমাণৰ অবতাৰণা কৰিছে অতি সংক্ষেপে তাকেহে দেখুৱাবলৈ চেষ্টা কৰিম।

মীমাংসকৰ সিদ্ধান্ত বা যুক্তি বুজিবলৈ যোৱাৰ আগেয়ে মীমাংসা শাস্ত্ৰৰ অৰ্থ কি তাকে। সাধাৰণ ভাৱে বুজি লোৱা উচিত, গতিকে প্ৰথমতে তাকে দেখুৱাবলৈ আগ বাঢ়িলোঁ।

(১) ইয়াৰ নাম "বৰস্তায়"

(১) শ্রুতিস্মৃতি পুৰাণানাং বিরোধো যত্র দৃশ্যতে।
তত্র শ্রৌতং প্রমাণন্তু তয়োর্দ্বৈধে স্মৃতির্বরা॥ মনুমাসতস্তীয়া দৃঢ় ব্যাস স্মৃতিঃ॥ "বিরোধে ত্বনপেক্ষ্যং স্যাদসতি হ্যনুমানং॥
মীমাংসা দর্শন।১।৩।৩

বেদ সাধাৰণতঃ দুই ভাগে বিভক্ত—জ্ঞানকাণ্ড আৰু কৰ্ম্মকাণ্ড। আৱশ্যক আৰু উপনিষদ্ ভাগ জ্ঞান কাণ্ড, সংহিতা আৰু ব্ৰাহ্মণ ভাগ কৰ্ম্মকাণ্ড। কৰ্ম্মকাণ্ড কপ বেদভাগৰ পৰস্পৰ বিৰোধী ভজন বা ৰাশী সেই বিষয়ৰ সংশয় নিৰাকৰণ কৰি প্ৰামাণ্য স্থাপন বাবেই, মীমাংসা দৰ্শন ৰচিত। অৱশ্যে সকলো দৰ্শনবে উদ্দেশ্য প্ৰাণীৰ অভিলষিত নিত্য সুখৰ উপায় বিধান *॥ তাকে লক্ষ্য কৰিছে মীমাংসাকো বেদৰ প্ৰামাণ্য স্থাপন কৰিবলৈ গৈছে। আগেয়েই কোৱা হৈছে যে মীমাংসা দৰ্শন মহামুনি জৈমিনী প্ৰণীত এই জৈমিনি সূত্ৰৰ বাৰটা অধ্যায় আছে। প্ৰত্যেক অধ্যায়বে চাৰিটাকৈ পাদ আছে আৰু সমুদায় এহেজাৰ অধিকৰণ (১) আছে। দর্শন সূত্ৰবোৰ

* "প্রমাণ প্রমেয় সংশয় প্রয়োজন দৃষ্টান্ত সিদ্ধান্ত-বয়ব তর্কনির্ণয় বাদ জল্প বিতণ্ডা হেত্বাভাসচ্ছল-জাতি নিগ্রহস্থানানাং তত্ত্বজ্ঞানাৎ নিঃশ্রেয়সাধিগমঃ॥"

—ন্যায়দর্শন ১।১।১।

"অথাতো ধর্ম্মং ব্যাখ্যাস্যামঃ" ।১।১। "যতোঽভ্যুদয় নিঃশ্রেয়স সিদ্ধিঃ স ধর্ম্মঃ" ।২।১।

—বৈশেষিক দর্শন। ১।১।১—২।

"অথ ত্রিবিধ দুঃখনিবৃত্তিরত্যন্ত পুরুষার্থঃ" । সাংখ্যদর্শন।১।১।

"পুরুষার্থ শূন্যানাং গুণানাং প্রতিপ্রসবঃ কৈবল্যং স্বরূপ প্রতিষ্ঠা বা চিতিশক্তেঃ ।"

—যোগ দর্শন ৪।৩৪।

"অথা তো ধর্ম্ম জিজ্ঞাসা" ।১।১ "চোদনা লক্ষণোঽর্থো ধর্ম্ম" ।২।১

—মীমাংসা দর্শন ১।১।১—২।

"আত্যন্তিকস্তু দেহোচ্ছেদো নিঃশেষ ধর্ম্মাধর্ম্ম পরিক্ষয় নিবন্ধনো মোক্ষ ইতি সিদ্ধম্।" "সমুদায়ো ত্রিবিধ সংসারিক দুঃখো বন্ধনো মুক্ত ইষ্যতেঽতঃ" (মীমাংসা)—প্রকরণ পঞ্জিকা।

"অথৰি গম উত্তর পূর্ব্বাঘয়ো ব্রহ্মস বিনাশী ।" "তোগেন ত্বিতরে ক্ষপয়িত্বা সম্পাদ্যতে ॥"

—বেদান্ত দর্শন ৩।১।১৩। ও ৪।১।১৯।

(১) জৈমীনিয় মীমাংসা দর্শনৰ অধিকৰণ এহেজাৰ বুলি প্ৰসিদ্ধি আছে। কিন্তু গণি চালে এহেজাৰ নহয়। ভাষ্য বার্ত্তিক শাস্ত্ৰ দীপিকা অধিকৰণ বত্নমালা প্ৰভৃতি মীমাংসাৰ আন আন গ্ৰন্থৰ পথা সংগ্ৰহ কৰিলে আৰু এক অধিকৰণৰ বাৰ্থ ভেদবোধকো একোটা অধিকৰণ বুলি ধৰিলে হে কোনো মতে হাজাৰ পুৰণ হয়। গতিকে জৈমনীয় সূত্ৰৰ অংশ বিশেষ লোপ পোৱা বুলি অনুমান কৰি পাৰি এহেজাৰ অধিকৰণ থকাৰ প্ৰসিদ্ধিটোকো মিছা বুলিব নোৱাৰি কাৰণ নহলে নো জৈমিনীয় সূত্ৰৰ সঙ্গতি ভিত্তি কৰি লেখা শাস্ত্ৰ দীপিকা আদি কৰণৱা অতিৰিক্ত অধিকৰণ হোৱ তুলিলে। অধিকৰণ মানে বিষয়ঃ সংশয়পূৰ্ব্বক পূৰ্ব্বপক্ষউত্তৰৰ। নিৰ্ণয়ে তৎপিণ্ডাঙ্গং শাস্ত্ৰেষ্বি কৰণাত্মকম্। অৰ্থাৎ বিষয় (যি বিষয়টিৰ বিচাৰ কৰিব) সংশয় মহলে বিচাৰ নহয়। গতিকে বিচাৰ্য্য বিষয়ত যি প্ৰকাৰ সন্দেহ হয় পূৰ্ব্ব পক্ষ (বিবোধী পক্ষ বা আশঙ্কা ধৰে যি পক্ষে)

সাধাৰণতে ইমান দুৰুহ যে টীকা বা ভাষ্য বোৰ যদি নাথাকিল হেঁতেন তেন্তে তাৰ অৰ্থ নিৰ্ণয় কৰা অসম্ভৱ হৈ পৰিল হেঁতেন। যদিও সংস্কৃত ভাষাত লেখা তথাপি বৰ সংক্ষেপ গতিকে মুনিৰ আশয় নিৰ্ণয় কৰা বৰ সহজ নহয় সেই বাবে সূত্ৰবোৰ অমূলক বা টীকাকাৰ ভাষ্যকাৰ সকলৰ বৰ্ণিত অভিপ্ৰায় মুনিৰ নহয় অথবা নহবও পাৰে এই কথা কব নোৱাৰি। কাৰণ এসময়ত যি ধৰণৰ ভাষাই সাহিত্য জগতত ৰাজত্ব বিস্তাৰ কৰে, সেই ভাষাটোৱেই নিয়তিৰ অনিয়ত ইচ্ছাত তাৰ পিছতে সৰ্ব্ব সাধাৰণৰ দুৰ্ব্বোধ্য হৈ পৰে, ইয়াৰ প্ৰমাণ স্বৰূপে বৈষ্ণৱ যুগৰ অসমীয়া ভাষা আৰু আজিৰ অসমীয়া ভাষাক আঙুলিয়াব পাৰি।

গতিকে যদিও আমালোকৰ পক্ষে সেই সংক্ষেপ সূত্ৰবোৰ সুখবোধ্য নহয় তথাপি ধাৰা বাহিক অধ্যয়ন অধ্যাপনা চলি অহাবাবে প্ৰাচীন টীকাকাৰ আৰু ভাষ্যকাৰ সকলৰ সেই ভাষাত ভালকৈ অধিকাৰ আছিল। এই দৰে ভাৰতত কিয় গোটেই পৃথিবীতে কালৰ পৰিবৰ্ত্তনৰ লগে লগে ভাষাৰো কম বেছি ভাৱে পৰিবৰ্ত্তন ঘটিছে সংস্কৃত ভাষাৰ দীৰ্ঘ জীৱনত টীকাকাৰ আৰু ভাষ্যকাৰ সকলৰ অমৰ লেখনীয়ে বহুত সাহায্য কৰিছে। অলপ গভীৰ ভাবে চিন্তা কৰিলে এই কথা ধৰাপৰে। এই পূৰ্ব্ব মীমাংসা দৰ্শন সূত্ৰৰো মহামতি শৱৰ স্বামীৰ প্ৰণীত এটি সুবৃহৎ ভাষ্য আছে। ইয়াৰ (মীমাংসা দৰ্শনৰ) পূজ্যপাদ কুমাৰিল ভট্টকৃত 'তন্ত্ৰ বাৰ্ত্তিক' নামে বাৰ্ত্তিক সুধী সমাজত আদৰণীয় আৰু প্ৰসিদ্ধ। মহামতি গুৰু বা প্ৰভাকৰ (১) মুৰাৰি মিশ্ৰ, পাৰ্থসাৰথি মিশ্ৰ, মণ্ডন মিশ্ৰ, শালক নাথ মিশ্ৰ, মাধবাচাৰ্য্য, লৌগাক্ষি, ভাস্কৰ, আৰু আপোদেৱ প্ৰভৃতিয়েও মীমাংসা শাস্ত্ৰৰ ব্যাখা কৰি নিজৰ পাণ্ডিত্য গৰিমাৰে ভাৰতক চিৰ গৌৰৱান্বিত কৰি থৈ গৈছে। গুৰু বা প্ৰভাকৰ আৰু ভট্টৰ বহু বিষয়ে মতগত বৈষম্য আছে। ইতৰ মীমাংসাচাৰ্য্য সকলে এই দুজনৰে অনুসৰণ কৰিছে বুলি কব পাৰি। শৱৰ স্বামী ভট্ট আৰু গুৰুৰ আগৰ লোক। ভট্টই বহু বিষয়ে শৱৰ স্বামীৰ সিদ্ধান্ত ৰক্ষা কৰি চলিছে। শৱৰ ভাষ্যত বৃত্তিকাৰ বুলি এজনৰ উল্লেখ পোৱা যায়। কিন্তু তেখেতৰ গ্ৰন্থ অৰ্থাৎ মীমাংসা দৰ্শনৰ বৃত্তি এতিয়াও সৰ্ব্ব সাধাৰণৰ দৃষ্টি গোচৰ হোৱা নাই। তেখেতৰ গ্ৰন্থ বৰ্ত্তমান আছে যে তাৰো কোনো নিশ্চয়তা পোৱা নাযায়। মীমাংসা সুহৃৎ সম্মিত শাস্ত্ৰ (২) গতিকে ই, স্মৃতি শ্ৰুতি আদিৰ দৰে কঠোৰ হুকুম মাত্ৰ দিয়ে ক্ষান্ত থকা নাই, আৰু কাব্য নাটকাদিৰ দৰে আপাত মধুৰ বাক্ বিলাসৰ দ্বাৰা লোক ভুলাবলৈও চেষ্টা নকৰে। কেৱল ই নানা বিধ যুক্তি তৰ্কৰ সহায়েৰে জ্ঞাতব্য বিষয় বিলাক এনে ভাৱে লোকক বুজাই দিছে। যাতে ই তত্ত্ব জিজ্ঞাসুৰ মানস পটত ভালকৈ অঙ্কিত হয়। মীমাংসকৰ সিদ্ধান্ত বুজিবলৈ হলে, তেখেত সকলে কোন জ্ঞান প্ৰমাণ বা যথাৰ্থ অথবা কোন জ্ঞান অপ্ৰমাণ বা ভ্ৰান্তি এইবোৰ থিৰ কৰিবৰ বাবে যিখিনি যুক্তি বা প্ৰমাণৰ সাহায্য লৈছে আৰু যি সিদ্ধান্তত উপস্থিত হৈছে, সেইটো বুজিব লগীয়া হয়, গতিকে আগৈয়ে সেইটো নেদেখুৱালে প্ৰবন্ধৰ এটা মহৎ ত্ৰুটি ৰৈ যাব। সেই দেখি প্ৰথমে তাক আলোচনা কৰা হব। —আগলৈ

উত্তৰ পক্ষ যি পক্ষে উত্তৰ দিয়ে আৰু নিৰ্ণয় (শেষ সিদ্ধান্ত) এই পাচোটা যি বিচাৰত থাকে তাৰ নাম অধিকৰণ। ধৰি লওঁক ঈশ্বৰ আছেনে নাই। বিচাৰ কৰিবলৈ গলো, ইয়াত বিষয় ঈশ্বৰ, কাৰণ— বিচাৰটো ঈশ্বৰ বিষয়ক হব; আছে নে নাই—এই হল সংশয়। ঈশ্বৰ নাই, কাৰণ থাকিলে দেখিলোহেঁতেন, এই হল পূৰ্ব্বপক্ষ যুক্তি। ঈশ্বৰ আছে নহলে সংসাৰখন হব নোৱাৰিলে হেঁতেন, কাৰ্য্য থাকিলে কাৰণ থাকিবই লাগিব, কাৰণ নহলে কাৰ্য্য হোৱা অসম্ভৱ ইত্যাদি সিদ্ধান্তৰ অনুকূল যুক্তি উত্তৰ পক্ষ। পাছত সিদ্ধান্ত হল ঈশ্বৰ আছে। এই বিচাৰটোৰ নাম অধিকৰণ।

(১) অনেকে গুৰু আৰু প্ৰভাকৰ বিভিন্ন লোক বুলি ভাৱে কিন্তু তেনে নহয়। গুৰু আৰু প্ৰভাকৰ শব্দে এজন লোককে বুজায়। 'জৈমিনীয় ন্যায়মালা' ও 'প্ৰকৰণ পঞ্জিকা' প্ৰভৃতি গ্ৰন্থত স্পষ্টভাৱে লেখা আছে।

(২) আচাৰ্য্য সকলে শাস্ত্ৰ সমূহক তিন শ্ৰেণীত ভাগ কৰিছে, যেনে কান্তা সম্মিত, সুহৃৎ সম্মিত, আৰু প্ৰভু সম্মিত। যিবোৰ শাস্ত্ৰই কেৱল পত্নীৰ দৰে আপাত ৰমণীয় বাক্য বিলাসৰ দ্বাৰা মানুহৰ আনন্দকৰ হয় তাৰ নাম কান্তা সম্মিত যেনে কাব্য নাটকাদি। যি শাস্ত্ৰই সমনীয়া বন্ধুৰ দৰে নানা যুক্তিতৰ্ক দৃষ্টান্তৰ দ্বাৰা সুখজনক কৰ্ত্তাৰৰ উপদেশ দিয়ে তাৰ নাম সুহৃৎ সম্মিত; যেনে দৰ্শন শাস্ত্ৰ বোৰ। যি শাস্ত্ৰই গুৰুজনৰ দৰে আদেশ দিয়ে মাত্ৰ, যুক্তি তৰ্কৰ ফালে নাযায় তাক প্ৰভুসম্মিত শাস্ত্ৰ বোলে, যেনে বেদ স্মৃতি আদি।

ভক্তিমাৰ্গ

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

[৬]

ঈশ্বৰ প্ৰেমময়। প্ৰেম-ভক্তিৰ সহায় নহলে ঈশ্বৰক পাব নোৱাৰি। প্ৰেমৰ স্বৰূপো অনিৰ্ব্বচনীয়। ঈশ্বৰ যেনেকৈ অনুভৱৰ বস্তু, প্ৰেমো সেইদৰে অনুভৱৰ বস্তু। বোবাই যেনেকৈ মিঠা বস্তু খাই আনন্দত অধীৰ হয়, অথচ সেইটো কেনে কব নোৱাৰে, মানুহেও সেইদৰে প্ৰেমত গদ্গদ হৈ সেই প্ৰেম কেনেকুৱা আনক বুজাই কব নোৱাৰে। প্ৰেম গুণবৰ্জ্জিত, কামনাৰ অতীত, অবিচ্ছিন্ন, প্ৰত্যেক ক্ষণতে তাৰ বৃদ্ধি। পাৰ্থিব বস্তুত আশক্তি প্ৰেম নহয়, তাৰ নাম কাম। কামত বিচ্ছেদ আছে, ক্ষয় আছে, সি ক্ষণভঙ্গুৰ। ভগৱৎ প্ৰেমত বিচ্ছেদ নাই, ক্ষয় নাই, সি অনন্তকাল স্থায়ী। পাৰ্থিব কামত মলিনতা আছে, নশ্বৰতা আছে; ঈশ্বৰ-প্ৰেম সুবিমল, অবিনশ্বৰ। পাৰ্থিব অধিকাংশ বিষয়ৰ অনুভৱ প্ৰকাশ কৰিব নোৱাৰি। প্ৰেমিকৰ চকুত প্ৰেমময় ভগৱন্তৰ স্বৰূপ আৰু প্ৰেমৰ স্বৰূপ একে বস্তু। প্ৰেমিকে ভগৱন্তক লাভ কৰি, তেওঁকে দেখে, তেওঁৰ কথাকে শ্ৰৱণ কৰে, কীৰ্ত্তন কৰে আৰু চিন্তা কৰে।

যদিও প্ৰেমভক্তি অনিৰ্ব্বচনীয়, তথাপি আন আন সাধনতকৈ ভক্তি-সাধন সুলভ। কাৰণ এই সাধনত পাণ্ডিত্য নালাগে, ধন নালাগে, আচাৰ-বিচাৰ নালাগে, ওখ কুল নীহ কুলৰ বাছ-বিচাৰ নালাগে।

" ন লাগে ভক্তিত দেৱ দ্বিজ ঋষি হইবে।
ন লাগে সম্ভূত শাস্ত্ৰ বিস্তৰ জানিবে।
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ॥
যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ যত ব্ৰজবাসী।
পক্ষী মৃগ বিষ্ণু ভৈল কৃষ্ণক উপাসি॥" (কীৰ্ত্তন)

ব্ৰজৰ নিৰক্ষৰ গোপীসকলে ভক্তি কৰি কৃষ্ণক পালে। বেদ নপঢ়া বিপ্ৰ-পত্নীসকলে ভক্তি কৰি কৃষ্ণক পালে, তেওঁলোকৰ পতি বেদবিদ্যাত পাৰ্গত যজ্ঞ কৰি থকা বিপ্ৰসকল থাকিল পৰি। গজেন্দ্ৰই

"শুণ্ডে মেৰাই পদ্ম গোট ওপৰক তুলি।
গজেন্দ্ৰে শৰণ লৈলা ত্ৰাহি হৰি বুলি॥" (কীৰ্ত্তন)

তাতেই পশু-শৰীৰধাৰী গজেন্দ্ৰৰ মুক্তি। "পাৰিষদ হুয়া বৈকুণ্ঠক গৈল লৰি।" ভক্তি-সাধনত কায়ক্লেশ নাই। "হৰিৰ সেৱাত কিছু নাহিকে প্ৰয়াস। আপুনি লৈবন্ত হৰি হৃদয়ত বাস॥" সেইদেখি মহাযোগী চাৰি সিদ্ধই বৈকুণ্ঠেশ্বৰক প্ৰাৰ্থনা কৰিছিল—

"তোমাৰ পাৱত হোক একান্ত ভকতি।
এতেক প্ৰসাদ দিয়ো আমাক সম্প্ৰতি॥
তোমাক নপাই অনুৰাগ বাঢ়ে যাৰ।
সেহিসে ভকতিযোগে ছিণ্ডে অহঙ্কাৰ।
তাহাৰেসে গুচে বিষয়ত অনুৰাগ।
হৃদয়ত বিচাৰি তোমাক পাৱে লাগ॥
তোমাৰ পাৱত লৈলে যিজনে শৰণ।
তযু গুণ নাম কৰে শ্ৰৱণ কীৰ্ত্তন।
মোক্ষ প্ৰসাদক প্ৰভু তোমাত ন মাগে।
ছাৰ স্বৰ্গসুখ কোন তাসম্বাৰ আগে॥
তযু গুণ নাম যদি কৰ্ণে থাকে ভৰি।
সদায় বদনে যদি বোলে ৰাম হৰি॥
চৰণকে চিন্তে চিত্তে বিঘ্নিকো ন গণি।
নাৰকী জন্মত তবে আমাৰ বাঞ্ছনি॥" (কীৰ্ত্তন)

ভক্তিৰ পথ ইমান উজু যে—

"নাহি কাল দেশ নিয়ম ইহাত
অশৌচত নাহি দোষ।
শয়নে ভোজনে সদা হৰি বোলা
এৰিয়া আন আক্ৰোশ॥" (কীৰ্ত্তন)

"হরি নাম কীর্ত্তনত নাহি কাল দেশ পাত্র
নিয়ম সংযম একো বিধি।
হরিত শরণ লৈয়া কেরল হরিৰ নাম
কীর্ত্তন করন্তে হোরে সিদ্ধি॥"
"হরিৰ সেৱাত নাহিকে প্রয়াস
জানিবা নিশ্চয় করি।
নাম মাত্র লৈলে হোরন্ত সন্তুষ্ট
কিনো কৃপাময় হরি॥ (ঘোষা)

ভক্তই ঈশ্বৰত আত্মনিবেদন কৰি থৈছে, ধন, জন, স্ত্রী-পুত্রাদি সকলো, আন কি কৰ্ম্মফলো যেতিয়া সমৰ্পণ কৰি থৈছে, সেইবোৰৰ হৰণ-ভগণৰ বাবে তেওঁৰ চিন্তা কিয় থাকিব? ঈশ্বৰত শৰণাগত ভক্তৰ ঈশ্বৰ বাহিৰে চিন্তা কৰিবলৈ একো নাই। যি পর্য্যন্ত ঈশ্বৰত নিশ্চয় বুদ্ধি, ৰতি দৃঢ় নহয়, সেই পর্য্যন্ত লোকব্যৱহাৰ পৰিত্যাগ কৰা উচিত নহয়, কিন্তু ফল কামনা পৰিত্যাগ কৰি, ঈশ্বৰত আত্মনিবেদন দৃঢ় হলে সেইবোৰৰ আৱশ্যক নাই, আৰু সেইবোৰ আপোনাআপুনি সৰি পৰিব। ফলৰ মুৱৰ পৰা জুলটো আপুনি সৰি পৰে।

নাৰদে "ভক্তিসূত্ৰ"ত উপদেশ দিছে—

"স্ত্রীধন নাস্তিক বৈৰিচরিত্রং ন শ্রবণীয়ম।" অর্থাৎ স্ত্রী ধন নাস্তিক আৰু বৈৰীৰ চৰিত্ৰ, যি ভক্তিসাধন কৰিব খোজে তেওঁ শুনিব; স্ত্রীৰ ৰূপ, যৌৱন, চেষ্টা চৰিত্ৰৰ বিষয়ে পাঠ বা শ্ৰৱণ নকৰিব; কাৰণ তেনেহলে মনত বিলাস-বাসনা বাঢ়ি উঠে। ধনৰ বিষয়ে কথা শুনিলে লোভ বাঢ়ে। নাস্তিকৰ তৰ্কজালতো নোলোমাব, কিয়নো, তাত মন ঈশ্বৰৰ পৰা বিচলিত হয়। যি তোমাৰ শত্রু তাৰ বিফল কথাও শুনিবা, কাৰণ তেনেহলে তোমাৰ মন বিক্ষোভিত হব, ক্রোধ উৎপন্ন হব, হিংসাৰ প্রবৃত্তি বাঢ়িব, ঈশ্বৰ-চিন্তাৰ পৰা তোমাৰ মন বহি পৰিব। বেদসকলে ঈশ্বৰক স্তুতি কৰি কৈছে—

"মিছা তৰ্কবাদে ভৈলো আন্ধাৰ।
নাপাওঁ জ্ঞান-পন্থ কৰি বিচাৰ॥"

এই বাবেই তৰ্ক-শাস্ত্ৰক মহাব্যাঘ্ৰী বুলি অভিহিত কৰা হৈছে।

"তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী তাহাতে নিপুণ পতি,
তাৰ শিষ্য ভৈল পুত্ৰ প্রায়।
সংসাৰ বনত পশি পতি পুত্ৰ সমৰিতে
উপনিষদ দেহ ধৰি খায়॥ (ঘোষা)

"স্ত্রী মদ্য মাংস সেৱাৰ কথা।
কৈ মৰে কবে জন্মক বৃথা॥ (কীর্ত্তন)

ৰামকৃষ্ণ পৰমহংসদেৱে যেতিয়াই ঈশ্বৰৰ বিষয়ে কোনো তৰ্ক বা বিচাৰ-বুদ্ধিত পৰিছিল তেতিয়াই "মা, বিচাৰ কেন কৰাও" বুলি ঈশ্বৰৰ ওচৰত অনুযোগ কৰিছিল। কৈছিল, "যে মা পাগল কবে। তাঁকে জ্ঞান বিচাৰ কবে,—শাস্ত্ৰৰ বিচাৰ কবে—পাওয়া যায় না। যতক্ষণ মনৰ দ্বাৰা বিচাৰ, ততক্ষণ নিত্যেতে পৌঁছান যায় না। মনৰ দ্বাৰা বিচাৰ কৰতে গেলেই জগৎকে ছাড়বাব যো নাই,—ৰূপ, ৰস, গন্ধ, স্পর্শ, শব্দ—ইন্দ্রিয়ৰ এইসকল বিষয়কে ছাড়বাব যো নাই। বিচাৰ বন্ধ হলে তবে ব্রহ্মজ্ঞান। এ মনৰ দ্বাৰা আত্মাকে জানা যায় না। আত্মাৰ দ্বাৰাই আত্মাকে জানা যায়। শুদ্ধ মন, শুদ্ধ বুদ্ধি, শুদ্ধ আত্মা একই।

"ভক্তিতেই সব পাওয়া যায়। যাৰা ব্রহ্মজ্ঞান চায়, যদি ভক্তিৰ ৰাস্তা ধৰে থাকে, তাৰা ব্রহ্মজ্ঞানও তাঁৰ দয়া থাকলে কি জানৰ অভাব থাকে। তাঁকে লাভ কৰলে পণ্ডিতদেৱ থড় কুটো বোধ হয়। ভক্তি দ্বাৰাই সব পাওয়া যায়। ভগবতীৰ কাছে কার্ত্তিক আৰ গণেশ বলেছিলেন। তাঁৰ গণায় মনিময় ৱস্ত্ৰ মালা। মা বল্লেন 'যে ব্রহ্মাণ্ড আগে প্রদক্ষিণ কৰে আসতে পাৰবে তাঁকে এই মালা দিব।' কার্ত্তিক তৎক্ষণাৎ ময়ূৰে চড়ে বেৰিয়ে গেলেন। গণেশ আস্তে আস্তে মাকে প্রদক্ষিণ কৰে প্রণাম কৰলেন। গণেশ জানে মাৰ ভিতৰই ব্রহ্মাণ্ড। মা প্রসন্না হয়ে গণেশৰ গলায় হাৰ পৰিয়ে দিলেন।

"মাকে কেঁদে কেঁদে আমি বলেছিলাম 'মা, বেদ, বেদান্তে কি আছে আমায় জানিয়ে দাও—পুৰাণ তন্ত্রে কি আছে আমায় জানিয়ে দাও। তিনি একে একে আমায় সব জানিয়ে দিয়েছেন।" (শ্রীৰামকৃষ্ণ কথামৃত)

"বাদো নাবলম্বাঃ।" মানে, তৰ্ক-বিতৰ্ক নকৰিবা। এই উপদেশ নাৰদৰ। বাদ-বিবাদ তৰ্ক-বিতৰ্ক কৰিলে মনত জিগীষা প্রবৃত্তি জন্মে। এই প্রবৃত্তি তমোগুণাত্মক। তমোগুণ ভক্তিৰ প্রতিবন্ধক। ভগৱন্তক জানিব নিমিত্তে তৰ্ক-বিতৰ্ক বাদ-বিবাদ অনাৱশ্যক; কাৰণ সেইবোৰৰ দ্বাৰাই ঈশ্বৰ-প্রাপ্তি নঘটে। উপনিষদত কৈছে—"যতো বাচো নিবর্ত্তন্তে অপ্রাপ্য মনসা সহ।" যাৰোন বিশ্বাস দ্বাৰাই ভক্তিৰ দ্বাৰাই হে ঈশ্বৰক পাব পাৰি। সেই দেখি বাদ-বিতৰ্ক পৰিহাৰ কৰি ভক্তি-শাস্ত্ৰৰ সিদ্ধান্ত অনুসাৰে ঈশ্বৰক চিন্তা কৰিবা। সাধুসকলৰ সঙ্গ লবা, যত ঈশ্বৰৰ কথাৰ বাহিৰে গ্রাম্য কথাৰ আলোচনা নহয়। সকলো সময়তে ঈশ্বৰৰ বিষয়ে চিন্তা কৰিবৰ সুবিধা হয়। সাধু-সঙ্গত সেই দেখি ভক্তৰ প্রার্থনা—

"হে কৃষ্ণ! পুত্র পত্নী সঙ্গ ত্যজি তমু পদ চিন্তি নিত
গর্ব্বশূন্য অন্য সবৰ আশ্রম যাইবোঁ।
তাসম্বাৰ মুখপদ্ম বাজ হইবে তমু কথামৃত নদী
তাতে মগ্ন হুয়া দেহাৰ হাত এবাইবোঁ॥ (ঘোষা)
"যং কীর্ত্তয়ানঃ শীঘ্রমেবাবির্ভবত্যনুভাবয়তি ভক্তান।"
(নাৰদ)

ঈশ্বৰৰ গুণ-নাম কীর্ত্তন কৰিলেই শীঘ্রে ঈশ্বৰ ভক্তৰ হৃদয়ত প্রকাশিত হয় আৰু সেইটো ভক্তক তেওঁ অনুভৱ কৰাই দিয়ে। ঈশ্বৰে নিজেই কৈছে—

"নাহং তিষ্ঠামি বৈকুণ্ঠে যোগিনাং হৃদয়ে নচ।
মদ্ভক্তা যত্র গায়ন্তি তত্র তিষ্ঠামি নাৰদ॥"

ভক্তিৰ সৈতে ঈশ্বৰৰ নাম-গুণ গাওঁতে গাওঁতে ভক্ত তন্ময় হৈ যায় আৰু তেনে অৱস্থাত ভগৱন্তই ভক্তক দর্শন দিয়ে। এই বাবেই নাৰদে কৈছে,—"ত্রিসত্যাস্ত ভক্তিৰেৱ গৰীয়সী ভক্তিৰেৱ গৰীয়সী।"

"ইত্যেবং বদন্তি জন-জন্মনির্ভয়া একমতাঃ কুমাৰব্যাসশুকশাণ্ডিল্যগর্গবিষ্ণুকৌণ্ডিন্যশেষোদ্ধবারুণি বলি হনুমদ্বিভীষণাদয়োঃ ভক্ত্যাচার্য্যা" অর্থাৎ সনৎকুমাৰ, বেদব্যাস, শুকদেৱ, শাণ্ডিল্য, গর্গ, বিষ্ণু, কৌণ্ডিন্য, অনন্ত, উদ্ধৱ, আৰুণি, বলি, হনুমন্ত বিভীষণাদি ভক্তি-তত্ত্বৰ আচার্য্য-সকলে লোকৰ পৰিহাসলৈ কাণ নিদি নির্ভয়ে একবাক্যে এনে উপদেশ দিছে।

"বেদে ৰামায়ণে চৈব পুৰাণে ভাৰতে তথা।
আদাবন্তে চ মধ্যে চ হৰিঃ সর্ব্বত্র গীয়তে॥"
"বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্র কহয় সতত
জানা তত্ত্ব এহি মানে॥"
(ঘোষা)

প্রধান ভক্তিশাস্ত্র শ্রীমদ্ভাগৱত "শুকমুখাদমৃতদ্রৱসংযুতম্" হৈ ওলাইছে।

বোহিণী

গল্প

—শ্রীযুত হবেন্দ্র নাথ কলিতা

নবেনৰ বাপেক বহুত টকাৰ মালিক বুলিহেই গাওঁত তেওঁ সদাগৰ বুলি জনাজাত। মানুহে তেওঁক 'খাইলক দি জু' বুলি কয়। তেওঁ হেনো বছৰে পাঁচ টকা হাৰে সুদ লয়। প্ৰত্যেক শতে দহ টকাকৈ চান কাঢ়ি ৰাখে। তেওঁ সুদবো সুদ লয়। চক্ৰবৃদ্ধি হাৰে ধাৰে দিয়া টকাৰ সুদৰ ওপৰতে তেওঁ হেনো অজস্ৰ টকাৰ মালিক। মানুহে কথাতে কয় বোলে তিনিজন সুদখোৱৰ নাম ললে ভূত পলায়। গৰুৰ গাত ঘা হৈ পোক লাগিলে এনে তিনিজন সুদখোৱৰ নাম লিখি গলত কিবা এখন আৰি দিলে পোক সৰি পৰে, খেতিকে পথাৰত গান্ধীৰ পৰা শস্য ৰক্ষা কৰিবলৈ চাৰি সীমাত তিনি সুদখোৱৰ নাম লিখি খুঁটি পোতে! এইবোৰ কথাত নবেনৰ বাপেকৰ নাম সকলোৱে আগত। তেওঁৰেই হেনো সেই অঞ্চলত সৰ্ব্বশ্ৰেষ্ঠ সুদখোৱ। এনে চিকটা মানুহ তেওঁ যে নিজে তো এটা ফুটা কড়িও খৰচ নকৰেই আনে খৰচ কৰা দেখিলেও তেওঁৰ চকু পোৱে। নবেনক তেওঁ গুৱাহাটী সোণাৰাম স্কুলত পঢ়িবলৈ দিছিল। সি আছিল হোষ্টেলত। এবাৰ সি গুৱাহাটীৰ নিচিনা ঠাইত ৫০৲ টকা কণ খৰচ কৰিলে। বাপেকে হিচাপ কৰি চালে ইতো তেওঁক শাখা কৰিব। এমাহতে আঠৈ কুৰিকৈ কণ খৰচ কৰিলে! তাক হোষ্টেলৰ পৰা উলিয়াই আনি নবীনৰ লগ লগাই দিয়াটোকে তেওঁ স্থিৰ কৰিলে। নবীনলৈ তেওঁৰ ছোৱালী শ্ৰীতিলতাক দিব খুজিছে, সেয়ে তেওঁৰ লগত সম্বন্ধ।

হোষ্টেলৰ পৰা উলিয়াই আনি তেওঁ নবেনক লগ লগাই দিলে বৰীনৰ। বৰীনইতো অন্তস্থাপন্ন মানুহ ; তেওঁৰ বাপেক গাওঁৰ মুখীয়াল মানুহ। বৰীনে সকলে পৰা গুৱাহাটীত পঢ়িছে। বাপেকে চহবতে বাহা-ঘৰ এটা সাজি দিছে, তাতে থাকি সি দহ বছৰ কটালে। নবেনইতৰ ঘৰ বৰীনইতৰ ঘৰৰ পৰা প্ৰায় দহ মাইল আঁতৰত। নবেন বৰীনতকৈ তিনি বছৰমানহে বয়সত সৰু। বৰীনে গুৱাহাটী কলেজৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীলৈ সেই বছৰ উঠিছে। নবেনে সোণাৰাম হাই স্কুলৰ অ ষ্টমমান শ্ৰেণীত পঢ়ে।

* * *

সিবেলি বৰীনৰ সৰু ভনীয়েক এজনীৰ বিয়া। তাইলৈকে সি এসপ্তাহৰ ছুটী লৈ ঘৰলৈ আহিছে। ষ্টেশনৰ পৰা সিহঁতৰ ঘৰ প্ৰায় পাঁচ মাইলমান দূৰৈত। চৰকাৰী আলিৰ ওচৰতে সিহঁতৰ ঘৰ। সি গাৰীৰ পৰা নামিয়েই ঘৰ বুলি খোজ দিলে। দুআইলমান আহোঁতে এজনী তেৰ-চৌদ বছৰীয়া ছোৱালী আৰু এটা ভাৰীৰ লগত তাৰ ভেঁটা-ভেঁটি হল। ভাৰীটোৰ কান্ধত এখন ভাৰ আৰু ছোৱালীজনীৰ কাষত এটা টোপোলা। সিহঁত আগে আগে, বৰীন পিছে পিছে। ভাৰীৰ কান্ধত ভাৰ উঠিলে আৰু ৰক্ষা নাই। বেচাৰী ছোৱালীজনীয়ে তাৰ লগত দোৰে কেনেকৈ? তাই বহতে লালকাল দিছে। এবাৰ তাই কলে, "মই আৰু খোজ কাঢ়িব নোৱাৰোঁ; অলপ লাহে লাহে যোৱাঁ।" ভাৰীটোৱে কড়মূর্ত্তি ধৰি কৈ উঠিল, "খোজ কাঢ়ি নোৱাৰ যদি আহিছিলি কেলৈ?" ইমান সময় ছোৱালীজনী ভাৰীটোৰ কিবা সম্বন্ধীয় হয় বুলি বৰীনে ভাবিছিল। কিন্তু তাই এনে কঠুৰা কথা শুনি অন্ত ধাবণা হল। ছোৱালীজনীৰ প্ৰতি তাৰ বৰ পুহো জন্মিল। কিবাকিবি শুনাই দিওঁ বুলি সি ভাবিলে কিন্তু বাটৰ মানুহক মাতি জগৰ লগাবৰ ইচ্ছা নকৰিলে। বঁদতে ছোৱালীজনীৰ মুখখন ডালিমটো যেন বঙা পৰি উঠিছে। ছোৱালীজনীৰ লগত কথা হবলৈ তাৰ মনত বৰ উচপিচনি লাগিল। অপৰিচিতা ছোৱালীৰ লগত কথা পতা গহিনে কাম বুলিহে সি ক্ষান্ত হল। তাই অতি সাধাৰণ ভাৱে সাজ-পাৰ পিন্ধিছে—ধুন-পেঁচ একো নাই। এই সাধাৰণ সাজ-পাৰৰ মাজেদি তাইৰ ৰূপ ফুটি ওলাইছে। তাইৰ গাৰ গঠনকে চাবা, নে চকু-মুখৰ সৌন্দৰ্য্যকে উপভোগ কৰিবা! তাইৰ সহজ-সৰল ভাব-ভঙ্গীবোৰ আৰু মুখৰ কান্তি দেখি বৰীনৰ মনত পৰিল ওয়ার্ডচৰর্থৰ 'লুচি'ৰ কথা আৰু বেজৰকল্পা ডাঙৰীয়াৰ মানস-প্ৰতিমা 'ডালিমী'ৰ কথা। তাইৰ গাত ভগৱানে এনে অপেখাঁৰ ৰূপ দিছে,—অথচ গাওঁত জন্মাৰ কাৰণে তাইৰ ৰূপক সকলোৱে নেওচা দিছে। দুখীয়াৰ ঘৰত জন্মাৰ কাৰণে তাইৰ সৌন্দৰ্য্যৰ কেৰে মোল বুজিব পৰা নাই। আইজি দেহি! কি বস্তুৰ কি বিলাই! বাপেক-মাক এনে নিদাকণ এনেৱন বহত তাইক ঘৰৰ পৰা উলিয়াই পঠিয়াইছে। সাজ-পাৰ দেখি ভাবিলে দুখীয়া মানুহৰ ছোৱালী, অন্তস্থাই মনুকায় গুণেহে এনে বহতো তাইক আহিবলৈ দিছে। সি যিমানে ছোৱালীজনীৰ ফালে চাইছে সিমানে তাৰ চাবলৈ হেঁপাহ বাঢ়িহে যৈছে। এবাৰ ভাৰীটোৰ চকুৱে চকুৱে পৰি সি বৰ লাজ পালে।

বাটতে বৰীনৰ আন এজনী ভনীয়েকৰ ঘৰ। মাকে তাইলৈ কৈ পঠাইছিল, তাতে চাপি ভনীয়েকক বিয়াবলৈ লৈ যাবলৈ। ভনীয়েকক গৰুৰ গাৰীৰে লৈ আহি ঘৰ পাওঁতে বহত বাতি হল। তেতিয়া বিয়াবলৈ অহা মিহি-কুটুম সকলো ভৰ ঘুমটিছে।

বিয়া-ঘৰীয়া মানুহ। বাতিপুৱাই উঠি সকলোৱে নিজ নিজ কামত লাগি যৈছে। অলপ গণ্ডগোল হৈছে। এনেতে বৰীনে মাকে কোৱা শুনিলে, "বোহিণী, দাদাৰক মাতি দে, সৌ বাবান্দাতে শুই আছে। বাতি আহি ঘৰত শুবলৈ ঠাইকে নাপালে।" মাকৰ কথা শেষ হোৱাৰ লগে লগে তাৰ ওচৰলৈ আহি কোনোবাই দাদা দাদা বুলি মতা শুনিলে। বাতি তাৰ ভাল টোপনি হোৱা নাই। বহুবিনি বাহিৰেকে বাটত দেখা ছোৱালীজনীৰ কথাকে মনত পৰি আছিল, আৰু সপোনেতো দেখা পাইছিল। মাতত সাৰ পাই সি চকু-মুখ মোহাৰি উঠি বহিল আৰু সমুখতে যি দেখিলে তাত সি বিদ্যুৰ্চ্চকিত খাই গল। সপোন দিঠকত পৰিবত হল। ছোৱালীজনীৰ মুখৰ ফালে সি ৰ লাগি চাই থাকিল; তাইৰ মুখত হাঁহিৰ বেখা এটি বিবিঙি উঠিল। বৰীনে কি সুধিব কি কব একোকে নাপালে। হাঁহি-মুখেৰে বোহিণীয়ে কলে, "কালি আহোঁতে বাটত লগ পাই আপুনিও আমাক চিনি নাপালে আমিও নাপালোঁ। আপুনি আমাক এবি অহাৰ পিছতে মোৰ লগত অহা ভাৰীটোৱে মোক সুধিছিল, 'বোহিণী, তই সৌ লবাজনক চিনি পাৱ নে কি? তেওঁ দেখোন তোলৈ বৰকৈ চাইছে।' মই নাপাওঁ বুলি কলোঁ।" বৰীনে কলে, "এতিয়া নো কেনেকৈ চিনিলা?" আপুনি যে মোৰ দাদা হয় বাতিপুৱা আগে কোৱাত হে বুজিব পাৰিলোঁ।" বৰীনে কিবা কব খুজিছিল কিন্তু বোহিণীয়ে বাধা জন্মাই কলে, "পিছত কথা হব, উঠ মুখ-হাত ধোৱক। মই চাহ আনোহোঁ।" বোহিণী গুচি গল। বৰীনে সেই ফালে কিবাকিবি ভাবি চাই থাকিল।

সিদিনাখন তেলৰ ভাব। সিদিনাও ইষ্ট-কুটুম আৰু বহুতো আহিল বোহিণীৰ খুবীজেকো সেই দিনা আহি পালে। বৰীনে আগেয়ে এওঁলোকক কাকো চিনি নাপাইছিল। এই দুদিনতে সকলোৱে লগত জনা-শুনা হল, আৰু জানিব পৰিলে যে বোহিণী তাৰৈয়েকৰ ভতিজা জীয়েক। তাৰৈয়েকৰ বাহিৰে বৰীনে তেওঁলোকৰ ঘৰৰ কাকো নাজানে। অথচ বহুত দিনৰ পৰা দুয়ো পৰিবাৰৰে এঘৰ মিল। কোনো কাজ-কৰ্ম্মে দুয়ো ঘৰৰ এথাএৰি নাই। তাৰৈয়েকে মোকৰ্দ্দমা উপলক্ষে গুৱাহাটীলৈ যৈ থাকে, তাতে বৰীনৰ লগত দেখা-শুনা। তেওঁৰ বাহিৰে বৰীনে ঘৰৰ কাকো নেজানে আৰু কোনো দিনে তেওঁলোকৰ ঘৰলৈ যোৱাও নাই। সাত-আঠ বছৰ আগতে বোহিণী গুৱাহাটীত দেখা কথা এতিয়াহে তাৰ মনত পৰিল। বাপেক মৰা সময়ত বোহিণী আৰু তাইৰ ককায়ক নাবালক। সেই কাৰণে তাৰৈয়েকে সিহঁতক গুৱাহাটীলৈ লৈ যায় আৰু কমিশুনাৰ চাহাবৰ তাত দৰখাস্ত কৰি নাবালকৰ অভিভাৱক নিযুক্ত হয়। তেতিয়াই সি বোহিণীক প্ৰথম দেখিছিল। সেই অকণি ছোৱালী আজি ইমান ডাঙৰ-দীঘল হৈছে!

বোহিণী আহিবৰ দুদিন হৈছে। তাই অহাৰ লগে লগে বৰীনইতৰ ঘৰখনে নতুন ৰূপ ধৰি উঠিছে।

তাইব ইাহি-মাত আক আচাব-ব্যবহাবত ঘবব সকলোবে মুগ্ধ হৈ পবিছে। মাকে বোৱাবীয়েকইতব সৈতে কোৱা-মেলা কবিছে, "আমাব ববীনবৈ দদাগবব ছোৱালী আনিব বোলাগেঁ। লিখা-পঢ়া কবা ছোৱালী নো আমাক কিয় লাগিছে—এনে এজনী ছোৱালী থাকোঁতে?" ববীনে এনে কথা বহুবাব নিজ কাণে শুনিছে। কিন্তু খুবীয়েক অহাব লগে লগে বোহিণীব এটা বব ডাঙব পবিবর্ত্তন দেখা গল। তাইব সকলো স্ফূর্ত্তি যেন কোনোবাই নিমিষতে হবি নিলে। কৈলে গল সেই মুখ-ভবা মনোমোহা হাঁহি আক কৈলে বা গল তাইব কমনীয় আব-ভাববোব। বিয়াব দিনা সকলোৱে হাঁহি-মাতি থুবিছে। বোহিণীব মুখত কিন্তু হাঁহি-মাত একো নাই—আমন-জিমনকৈ ফুবিছে। বাতিপুৱাব লগে লগে আহতীয়কল আহি ঘব ভবি পবিছে। তেওঁলোক আটাইতে নদীব ঘাটলৈ পানী তুলিবলৈ যাব। তিবোতা ছোৱালীব ই বব আনন্দব কথা। সকলোৱে সাঁচতীয়া ভাল ভাল বিছা-মেখেলাবোব পিন্ধি-উবি আছিছে। বোহিণীব লাল বিছা-মেখেলা একো নাই। ঘবব পবা যি পিন্ধি-উবি আছিছিল তাবেই নদীব ঘাটলৈ যাবলৈ ওলাইছে। এনেতে খুবীয়েক আহি কলে, "তই যাব নোৱাবি বোহিণী, বাপুকণক বাখিব লাগিব।" বাপুকণ খুবীয়েকব কেচুৱা লবা। বোহিণীয়ে একো নামাতি মনে মনে থাকিল। মুখখন সৈতা পবি গল। চকুবে শিবগিবিকৈ পানী পবিবলৈ ধবিলে। খুবীয়েকে আন আহতীবোবব লগত নাম গাই গাই পানী তুলিবলৈ গল। বোহিণীয়ে চকুলো টুকি বাপুকণক বাখি থাকিল।

ঘাটব পবা আহি সকলোৱে তামোল-পান তেল-সেন্দুব বিলাইছে। ছোৱালীবোবে দেমালি কবি ইজনীব গাত সিজনীয়ে তেল-সেন্দুব সনাসনি কবিছে। বোহিণীয়ে মন মাবি থকা দেখি কেইজনীমান লগব ছোৱালীয়ে তাইক টানি আনিলে আক গাত তেল-সেন্দুব সানিলে। তাতে কেই টোপনান তেল গৈ বোহিণীব কাপোবত পবিল। অন্তেক পিছতে খুবীয়েক আহি সিজগিয়াই উঠিল আক ছোৱালীবোবব মাজতে ধবি বোহিণীক ঠাচ কবে চব এটা মাবি দিলে। তাতো ক্ষান্ত নহৈ "বেটী শাখিনী কাপোবত যে তেল লগাই লেতেবা কবিলি কোন মাবে নচুনকৈ আক এজোবা তোক বৈ দিব" বুলি যি মুখত আছে তাকে কবলৈ ধবিলে। বোহিণীয়ে ভয়তে ঠক্ ঠক্ কবি কঁপিবলৈ ধবিলে। লাজতে তাইব গাল-মুখ বঙা পবিল। মুখ তুলি তাই খুবীয়েকক এটি কথাও নকলে। ববীনব সহ্য নহল। সি গৈ কলে, "আমৈ, আপুনি ছোৱালীজনীক কিয় এনেধন কবিছে? মানুহে আপোনাক বুলিব কি?" ববীনব কথাত আমৈয়েকে কলে, "বকাব কথা কৈছা বোপা, এই শাখিনীজনীয়ে সকলোকে নাশ কবিলে। সিদিনা মাত্র জপাব পবা এইজোবা কাপোব উলিয়াই দিছোঁ, এবছবো ছোৱা নাই। আমি জানো ছোৱালী নাহিলোঁ, তাইহে ছোৱালী হৈছে?"—কথাবোব শুনি ববীনব গাত কাঁইটে বিন্ধা দিলে। সি গৈ মাকক কলে, "মা, আমাব ঘবব পবা বোহিণীক এজোবা কাপোব উলিয়াই দিবাঁ। আমেজনী এনে যে অকণমান তেল পৰোঁতেই ছোৱালী-জনীক এনে দবে মাবিলে।" মাকে আগবে পবা সকলো কথাব গম পায়। তেওঁ কলে, "এজোবা কিয় দহজোবা কাপোব মই দিব পাৰোঁ। কিবা কাপোবব মোব ঘবত অভাব নে? বাতিপুৱাই এজোবা দিছিলোঁ খুবীয়েকে ববলৈ নিদিলে। এতিয়া আকৌ দিয়া দেখিলে ঘবলৈ যৈ তাইব ওপবত হোব তুলিব। আমাব এজো নকবি বোপা। বাপেক-মাকব মুব খাইছে যেতিয়া যি ইচ্ছা তাকে কবক।" ববীনে কিবা এটা কব খুজিও কব নোৱাবিলে। শুনতে সি ওলাই আহিল

* * *

বিয়াব তিনি দিন পিছব কথা। মিতিব-কুটুম ছই-চাবিজনকৈ যাবলৈ ধবিছে। সিদিনা বোহিণীইতো যাবহৈ। বোহিণী বিয়া চাবলৈ আহিছিল নে খুবীয়েকব কেচুৱাকে বাখিবলৈ আহিছিল সকলো বিয়াব মানুহে দেখিছে। ববীনে বোহিণীক লগ ধবি সকলো কথাব আঁতি-ওবি লব বুলি ভাবিছিল; কিন্তু বিয়াব গণ্ডগোলতে কোনো সুবিধা নাপালে। ওপবীয়া ভাত-পানী খাই-বৈ উঠি দি শেতেলীত পবি অলপ আবাম কবিছে শোৱা-ঘবত। এনে সময়তে কোনোবাই দুৱাবখন মেলা হেন গম পালে। কোন বুলি সুদিলত ভিতবলৈ মইনী আহি ববীনব ওচব পালে। মইনী ককায়েকব ছোৱালী। বয়স পাঁচ-ছয় বছবব ভিতবতে। তাইব খুদুকথানাক কথাবোব শুনি বব ভাল লাগে। ববীনে সুধিলে, "মইনী, তেই, না আহিলি কিয়?" তাই ববীনব কথাবে কাণ নিদি দুৱাবব ফালে চাই "নাক কিয় এতিয়া, মই কৈছিলোঁ নহয় চানা-পিতা ইয়াতে শুই আছে" এই বুলি কৈ মইনী দৌৰি গৈ বোহিণীক হাতত ধবি ববীনব ওচবলৈ টানি আনিলে। বোহিণীয়ে আল-চুলকৈ ববীনব ওচবলৈ আহি তাব হাতত এখন তামোল দি কলে, "দাদা, আপোনাসকলক এই কেই দিনে আমনি দিলোঁ, লেহা নেপাব। আজি আমি যামনৈ। আপোনাক মাত লগাই যাওঁ বুলিহে আহিলোঁ। পিছে আপুনি কেতিয়াকৈ ওবাহাটীলৈ যাব?" ববীনে কলে, "চই এদিনতে যাম।" "তেন্তে এবাব আমাব তাঁলৈ যাবনে?" ববীনে অলপ ভাবি উত্তব দিলে, "চেষ্টা কবি চাম বাক।" বোহিণীয়ে অভিমানব সুবত কৈ উঠিল, "আমি দুখীয়া মানুহ কিয়নো যাব? সকলোৱে মোক বেয়া পায়, আপুনিয়ে বা নেপাব কিয়?" কথাৰ লগে লগে বোহিণীব দুই চকু উপচি পবিল। ববীনে সান্ত্বনা দি কলে, "তুমি বেজাব নকবিবা বোহিণী। তুমি আজিব দিনটো থাকা; কাইলৈ তোমাব লগতে যাম বাক।" বোহিণীয়ে এটি দুমুনিয়াহ পেলাই কলে, "মই কেনেকৈ থাকিম, খুবীয়ে খং কবিব। আপুনি এই কেই দিনতে দেখিছেই নহয়— তেওঁ মোব ওপবত কিমান স্নেহশীল!" ববীনে কলে, "নই বাক আমেক কয় তোমাক এবি যাবলৈ।" "মোব বব লাগে আপুনি তেনেকৈ নকব দাদা; তেওঁ গিহে তিবোতা, মই আপোনাক কবলৈ কৈছোঁ বুলি ধবি লব। ঘবলৈ গৈ মোব হাব কেডাল ওবি কবিব।" ববীনে নিমাত হৈ তাইৰ মুখব ফালে চাই থাকিল।

দুয়োটা পবিয়ালব ভিতবত যদিও বব ঘনিষ্ঠ সম্বন্ধ আছিল, ববীনে তেওঁলোকব ভিতবকা কথাবোবব বিষয়ে একো নেজানিছিল। সি সকলো কথাব আঁতি-ওবি লবলৈ বোহিণীক সুধিলে, "কোৱাচোন বোহিণী তোমাব

ওপবত তেওঁলোক ইমান বিতৃষ্ট কিয়?" বোহিণীয়ে নকয়, ববীনে নেবে। শেষত এটি ক্ষুমুনিয়াহেবে তাই আবম্ভ কবিলে, "দাদা, মোব দুখব কাহিনী শুনিব খুজিছে যেতিয়া আপোনাক নকৈ নো কম কাক? মোব দাদাও নমবি থাকিলে আজি আপোনাব সমান হলহেঁতেন। আপুনি শুনিব খুজিছে—মই একো মুলুকাই, সকলো কম। খুবা আক পিতা ভায়েক-ককায়ক আছিল। কেতিয়া তেওঁলোক বেলেগ হৈছিল মনত নপবে। মোব বয়স তেতিয়া ছয়-সাত বছব আক দাদাব বাব-তেব বছব। দাদাই গাওঁবে মাইনব স্কুলত পঢ়ে, মই নিম্ন প্রাইমাবী স্কুলৈ অহ'-যোৱা কবোঁ। পিতাই পণ্ডিত বাখি দিছিল আমাক পঢ়াবলৈ। তেওঁ তেজপুবত ঠিকাদাবি কবি বহুতো ধন খাটছিল হেনো। এতিয়াও গাওঁব মানুহে তেওঁব কথা কোৱা-মেলা কবে। সিবিলৈ তেওঁ আহিছিল মাক, মোক আক দাদাক তেজপুবলৈ নিবলৈ। মাঘ-বাবী কিনি তাতে তেওঁ আমাব কাবণে ঘব সাজিছিল। সকলো ঠিক্ হল যে ষ্টেশনলৈ আমি গৰুব গাবীত গৈ বেলত উঠিম। আমি তেতিয়া বেল জাহাজব কত ছবি মনত কল্পনা কবিছিলোঁ। সেই কেইদিন গাওঁব লৰা-ছোৱালীবোবব আহি কিমান আমাক মৰম জনাইছিল। সিইতব দুখ আমি সিইতক এবি যামগৈ। আমি যাবলৈ মাত্র তিনি দিন আছে। বাতি শুই আছোঁ—হঠাৎ দাদাই কান্দি উঠা শুনিলোঁ। মোব টোপনি ভাগিল আক কি হল বুলি উঠি পবিলোঁ। দাদাক সুধিলোঁ কিয় কান্দিছা। তেওঁ একো নেমাতে মাথোন কান্দেহে। ময়ো কান্দিবলৈ ধবিলোঁ। ইফালে পিতায়ো দেখোন কান্দিবলৈ ধবিছে। ঘবত বহুতো মানুহব সমাগম হৈছে। বহুতে পিতাক বুজাইছে। কেৰে কৈছে নেকান্দিবা দাদা, কেৰে কৈছে নেকান্দিবা খুবা। ভগৱানব খোলাম চুডুবঁক ভাগে বাপক মাত্র আপোনাব সকলো হব। দাদাই বুজিছিল, মই কিন্তু তেতিয়াইলৈকে একো গম পোৱা নাছিলোঁ। এবাব পিতাই মোকে আক দাদাকে সাবটি ধবি কোৱা মনত পবে 'বাছাইত নেকান্দিবি, মই আছোঁ। যেতিয়া তইতব একো দুখ নহয়।' পিছত গম পালোঁ আই

আমাৰ নাই। আমাক খুৱাই-বুৱাই শুৱাই থৈয়ে তেওঁ কলেৰাত পৰিল আৰু ৰাতিৰ ভিতৰতে সকলো শেষ। তাতে অন্ত নহল, দাদা। আইক খৰি দি আহিয়েই আমাৰ মৰমৰ পিতাও সেই ৰোগত পৰিল আৰু তেৱোঁ আমাক এৰি থৈ গল। খুৰাই আহি মোক কোৱা মনত পৰে 'আইটি নেকান্দিবি মাৰে অকলে থাকিবলৈ বেয়া পায় নহয়। সেই কাৰণে পিতাৰকো তালৈ মাতি নিছে। তেওঁলোক দুয়ো একে লগে থাকিব—আমি তইঁতৰ লগত থাকিম।' সেই কথাখিনি আজিও মোৰ অন্তৰত বাজি উঠে। তেতিয়া তাকে সঁচা মানি মনক সান্ত্বনা দিছিলোঁ। সেই খুৰাৰে আজি এনে পৰিবৰ্ত্তন বুলি" তাই উচুপিবলৈ ধৰিলে। ৰবীনৰো চকুৰ পানী ওলাল।

তাৰ পিছত ৰোহিণীয়ে আকৌ কবলৈ, ধৰিলে, "এতিয়া শুনিবলৈ পাওঁ পিতাৰ সকলো সম্পত্তি হেনো খুৰাই ধ্বংস কৰিলে। তেওঁ মদ, ভাং, কানি একো বাদ নিদিয়ে; কাম-বন একো নকৰে, কেৱল ঘূৰি ফুৰে। আগেয়ে তেওঁ বিলাতী মদ কিনি আনি খাইছিল, এতিয়া দেশী মদত ধৰিছে। দুবছৰ আগৰ কথা—উদংমহীয়া দিন। পথাৰৰ পৰা গৰু চপাই আনিবলৈ দাদাক পঠাইছিল। সিদিনা গাই এজনী তেওঁ বিচাৰি নাপালে। তাই পথাৰতে থাকিল; ৰাতি হেনো দামুৰিটোক বাঘে খালে। সেয়ে অপৰাধ। খুৰা-খুৰী দুয়োৱে দাদাক বান্ধি ধৰি কোবালে। গৰুৰ খুটিত এৰাতি বান্ধি থৈ দিলে। দাদাৰ কান্দোন শুনিব নোৱাৰি মই বান্ধ খুলি দিবলৈ যাওঁতে মোকো কি মাৰখনেই নেশোধালে। তাৰ কেদিনমানৰ মূৰতে দাদা জ্বৰত পৰিল। এদিনো কাকো মাতি আনি নেদেখুৱালে। দহ দিনৰ মূৰত দাদাও গল। দাদা গল—খুৰা-খুৰী ৰক্ষা পৰিল। সম্পত্তিৰ ভাগ লবলৈ আৰু তেওঁ নাহে। মই যাম কলৈ! ঈশ্বৰে নামাৰে,—ইহঁতৰ কিলতে কেতিয়াবা মৰিলেও হয়।" ৰবীনৰ এই সকলোবোৰ কথা সপোন যেন লাগিল। সি ৰোহিণীৰ গাত হাত বুলাই কলে, "তুমি আমাৰ ইয়াতে থাকা ৰোহিণী, মই মাক কৈ সকলো বন্দোবস্ত কৰি দিম।" ৰোহিণীয়ে কলে, "নেলাগে দাদা, কিয় মোৰ কাৰণে আপোনাসকল বদনামৰ ভাগী হব লাগিছে। মৰোঁ যদি তাতে মৰিম; মোৰে বধ লাগে এইবোৰ কথা কাৰো আগত নকব। সিহঁতৰ কাণত পৰিলে মোক"—আৰু কোৱা নহল। খুৰীয়েক আহি ওলাল। সিমানতে ৰবীন আৰু ৰোহিণীৰ কথা বন্ধ হল।

* * * *

এবছৰ পিছৰ কথা। ৰবীনে সিবেলি আই-এছ্‌ছি পৰীক্ষা দি কিছু দিনৰ কাৰণে ঘৰলৈ গৈছে। তাৰ ভিতৰতে পৰিল দৌলযাত্ৰা। হিন্দুৰ ই এটা পবিত্ৰ দিন। ভাৰতবাসী হিন্দু মাত্ৰেই ইয়াক পালন কৰে। এই দিনটোত বোলে শ্ৰীকৃষ্ণই ৰাধা আৰু তেওঁৰ সখীয়েক-সকলৰ সৈতে ফাকুৱা খেলিছিল। কামৰূপৰ বহুত ঠাইত এই দৌল উপলক্ষে পতা মেলা তিনি দিনলৈকে থাকে। এই মেলাবোৰত কাঁহ-পিতলৰ বাচন-বৰ্ত্তন, কানি-কাপোৰৰ পৰা জাপি-কোৰলৈকে সকলো বিধৰ গাৱঁলীয়া মানুহক লগা বস্তু পোৱা যায়। সেই সময়তে বহুতে গোটেই বছৰৰ বাবে যাবতীয় লাগতিয়াল বস্তুবোৰ কিনি ৰাখে। উৰুকাৰ দিনা কিছুমান ঠাইত আতচ-বাজী (fire-works) বৰ বেছি পৰিমাণে হয়। তাক চাবলৈ দুই তিনি বেলাৰ বাটৰ পৰা মানুহ এই মেলাবোৰলৈ আহে। উৰুকাৰ দিনা হঠাৎ নৰেন আহি ৰবীনহঁতৰ ঘৰত ওলালহি। সি ৰবীনক বৰকৈ ধৰিলে তাৰ লগত আতচ-বাজী চাবলৈ যাব লাগে। সন্ধ্যা সময়ত দুয়ো স্থিৰ কৰিলে দেহাৰ গাওঁলৈকে সিহঁত যাব। সেই অঞ্চলৰ ভিতৰত দেহাৰ গাওঁতে ভাল আতচ-বাজীৰ খেল হয়। ভালেখিনি বাট যাব লাগে। সাঁজ লগাৰ লগে লগে সিহঁত দুয়ো যাত্ৰা কৰিলে।

সেই দেহাৰ গাওঁতে ৰবীনৰ তাৱৈয়েকৰ ঘৰ। আতচ-বাজী পোৱা হলত ৰবীনে ভাবিলে তাৱৈহঁতৰ ঘৰলৈ গৈ এটোপা চাহপানীকে খোৱা যাওক। নৰেনক কোৱাত সিও সন্মত হল। বাৰীৰ পাছ ফালেদি তেওঁলোকৰ ঘৰলৈ যোৱা এটা বাট আছে। সিহঁত সেই বাটেৰে সোমাল। বাৰীৰ মাজমান পাওঁতে সিহঁতৰ চকুত পৰিল—অলপ দূৰৈতে এজনী ছোৱালী। তাই বাঁহৰ মাজৰ সুৰসুৰীয়া

বাট এটাৰে সিহঁতৰ ওচৰ পালেহি। অকস্মাৎ ৰবীনক দেখি ৰোহিণী আচৰিত হল। ৰবীনো আচৰিত হল—ইমানখন ৰাতি তাইক অকলে দেখি। ৰবীনে সুধিলে, "কলৈ গৈছিলা ৰোহিণী ইমানখন ৰাতি অকলে অকলে?" ৰোহিণীয়ে কলে, "মই দাদা আতচ-বাজী চাবলৈ গৈছিলোঁ কেজনীমান আমাৰ ওচৰৰে ছোৱালীৰ সৈতে। আমাৰ চৌধাৰীহঁতৰ পগলা হাতীটোৰ আগত কোনোবাই ফুল-জাৰি এটা লগাই দিলে। সি চঁক্ খাই চিঞৰি-বাখৰি আমাৰ বাৰীৰ ফালে যিহে লৰ দিলে? আমি যেনি পালোঁ তেনি পলালোঁ।" ৰবীনে কলে, "আমিও আতচ-বাজী চাবলৈকে আহিছিলোঁ—এতিয়া তোমালোকৰ তালৈকে যাম।" ৰোহিণীয়ে হাঁহি কলে, "সঁচা নে? বলক তেন্তে খুৰীহঁত ঘৰতে আছে।" নৰেনে ইমান সময় কেৱল ৰোহিণীৰ শুৱনী মুখখনলৈকে সুবিধা পালেই চাইছে মাত্ৰ। এবাৰ ৰবীনে কিবা এটা কথা সোধোঁতে সি চঁক্ খাই উঠিল। ঘৰ পাই ৰোহিণীয়ে চৰা-ঘৰতে দুখন চকী টানি সিহঁতক বহিবলৈ কলে আৰু তাই গৈ ভিতৰত খবৰ দিলে। ৰোহিণীৰ লগত নৰেনৰ এয়ে প্ৰথম দেখা।

চাহপানী খাই উঠি তাৱৈয়েকৰ লগত ৰবীনৰ বহুত কথা হল। নৰেনৰ লগতো চিনা-জনা কৰি দিলে। ৰোহিণীয়ে আহি তামোল-চালি দি গল। তাৰ পিছত কথা ওলাল ৰোহিণীৰ বিয়া সম্বন্ধে। তেওঁ ৰবীনক কলে সি যেনে তেনে এটা ভাল দৰা তাইলৈ চাই দিব লাগে। টকা-পইচাৰ অভাৱ, কোনো মতে ছোৱালীজনী গতাব পাৰিলে ৰক্ষা পৰে। ৰবীনে তাতে নৰেনক উদ্দেশ্য কৰি কলে, "এনে-বোৰ ডেকা লৰা থাকোঁতে দৰাৰ অভাৱ পৰিছে নে?" নৰেনে যেন বৰ লাজ পালে তেনে ভাব দেখুৱাই ৰবীনৰ গাত চিকোট মাৰি আৰু তেনে কথা নাপাতিবলৈ ইঙ্গিত কৰিলে। তাৱৈয়েকে তাৰ প্ৰত্যুত্তৰত কলে, "সদাগৰৰ লৰা, তেওঁ দুখীয়া মানুহৰ ছোৱালীক বিয়া কৰাব, হৈছে। সেইবোৰ এৰ—আন কৰবাত সুবিধা হয় নে চাবি।" কথা সিমানতে শেষ হল। তাৱৈয়েকে সিহঁতক মাজে সময়ে আহি থাকিবলৈ কৈ বিদায় দিলে।

আই-এছ্‌ছি পাছ কৰাৰ পিছতে সদাগৰে ৰবীনক ধৰিলে তেওঁৰ ছোৱালী প্ৰীতিলতাক বিয়া কৰাব লাগে। ঘৰতো আটাইৰে সেয়ে মত। ৰবীনৰ কিন্তু তেতিয়া বিয়া কৰাবৰ মত নাই। সি নিজে কিবা এটা সুবিধা কৰিব নোৱাৰালৈকে বিয়া নকৰায়। শেষত সদাগৰে ধৰিলে যে তেওঁক কথা দিব লাগে প্ৰীতিলতাক বিয়া কৰাব বুলি। ৰবীন কলে, "মই যদি তেনেকৈ কথা দিব লাগে তেন্তে আপুনিও কথা দিয়ক ছোৱালীক পঢ়াব বুলি।" শেষত দুয়ো পক্ষ সন্মত হল। ৰবীন কলিকতালৈ এম্-বি পঢ়িবলৈ গল। সদাগৰে প্ৰীতিলতাক গুৱাহাটীলৈ পঠালে; তাতে মোমায়েকৰ ঘৰত থাকি পঢ়িব। ৰবীন কলিকতালৈ গলত নৰেন অকলশৰীয়া হল। বাপেকে মোমায়েকৰ ঘৰত থাকি পঢ়িবলৈ কলে। সি তাত সন্মত নহল। এবছৰ কেনো মতে সেই বহা-ঘৰতে কটালে। ৰবীন থকাত সি অলপ ভয়-ডৰ কৰি চলিছিল। ৰবীনে এৰা দি অহাৰ পৰা তাৰ বহুত পৰিবৰ্ত্তন আহিল। এবাৰ কিবা এটা গণ্ডগোল কৰি স্কুলৰ পৰা সি খেদা খালে। তাৰ পিছতে সি গৈ নলবাৰী স্কুলত ভৰ্ত্তি হল।

* * * *

ৰবীন তেতিয়া কলিকতা মেডিকেল কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। তেওঁ কলেজৰ মেচত নেথাকি ওচৰৰে হোটেল এটাত থাকে। এদিন কলেজৰ পৰা আহি পাওঁতে দাৰোৱানে খবৰ দিলে, "তেওঁৰ ভায়েক এজন অসম মেইলত আহিছে, তেওঁৰ ৰুমতে শুই আছে।" ভায়েকৰ কথা শুনি ৰবীন আচৰিত হল! আগেয়ে খবৰ নিদিয়াকৈ কোন ভায়েক আহিব পাৰে? সি লৰালৰিকৈ ৰুমলৈ গৈ দেখে—নৰেন। সি শুই আছে। ৰবীনে তাক মাতি সুধিলে, "কিহে নৰেন, খবৰ-বাতৰি নিদিয়াকৈ ওলালাহি যে?" সি কলে, "পিছত কথা হম দিয়াঁ—তুমি হাত-ভৰি ধুই আহাঁচোন।" ৰবীনে আৰু একো নেমাতিলে। আবেলি চাহ-জলপান খাই দুয়ো ফুৰিবলৈ ওলাল। বাটত নৰেনে উলিয়ালে, "মই ইবেলি মেট্ৰিক পাছ কৰিছোঁ জানাই নহয়। এটা ভাল কলেজত নাম লগাই দিয়াঁ, মই ইয়াতে পঢ়িম।" ৰবীনে সুধিলে, "পিতাৰাই জানো তোমাক পঠাইছে?" "পঠোৱা নাই

কিন্তু নাম লগালে খৰচ দিব নিশ্চয়।" ৰবীনে বলে, "নিশ্চয়টো এৰি দিয়া, তুমি কেইদিনমান অপেক্ষা কৰা, মই পিতাৰালৈ লিখোঁ।" নৰেনে আপত্তি দেখুৱাই কলে, "এতিয়া লিখিব নেলাগে—নাম লগাই উঠিলে লিখিবা বাৰু।" ৰবীন তাত সন্মত নহল। পিছ দিনা সি নৰেনৰ পিতাকলৈ লিখিলে, "হঠাৎ নৰেন আহি মোৰ ইয়াতে আছে। তাৰ কথা-বতৰাৰ পৰা অনুমান হয় পলাই আহিছে। এতিয়া সি ইয়াতে কলেজত পঢ়িব খোজে। মতামত জনাই বাধিত কৰিব।" দুদিন পিছতে উত্তৰ আহিল। সদাগৰে লিখিলে, "অবাধ্য সন্তান থকাতকৈ মৰি যোৱাই ভাল। তুমি তাক পাৰিলে সোনকালে পঠাই দিবা। মই কলিকতাত তাক খৰচ দি পঢ়াব নোৱাৰিম।" চিঠিখন সি নৰেনক দেখুৱালে। নৰেনে পঢ়ি চাই একো নেমাতিলে। তাৰ পিছ দিনা কলেজৰ পৰা আহি চায়, নৰেন নাই। দাৰোৱানক সোধাত কলে সি হেনো ঘৰলৈ যাওঁ বুলি বাৰ বজাতে ওলাই গৈছে। ৰবীনে পেটে পেটে ভালেই পালে।

তাৰ এমাহমান পিছৰ কথা। এদিন ৰাতি সি শুই আছে হঠাৎ কোনোবাই দুৱাৰত টুকৰিৱা যেন শুনিলে। দুৱাৰ খুলি দি দেখে এজন অসমীয়া লৰা। ৰবীনে ৰাতি দুপৰত তেওঁক দেখি সুধিলে, "ইমান ৰাতি কৰ পৰা ওলালাহি?" সি অলপ উদ্বিগ্নভাৱে কলে, "নৰেনৰ সন্নিপাত জ্বৰ—আজি এসপ্তাহ হল। অৱস্থা বৰ বেয়া, তোমাক এতিয়াই মাতিছে।" ৰবীনৰ আৰু একো কথা সুধিবৰ সময় নহল। সি যেনে আছিল তেনে লৰাজনৰ লগতে ওলাল। সি গৈ দেখে শ্যামবজাৰৰ এটা মেচত নৰেন পৰি আছে। অৱস্থা সঙ্কটাপন্ন। লৰালৰিকৈ সি ডাক্তৰ প্ৰফেচাৰ এজনক মাতি নি দেখুৱালে। ৰাতিপুৱাই নৰেনৰ নামে ঘৰলৈ টেলিগ্ৰাম কৰিলে। তাৰ জবাব একো নাহিল। তাৰ পিছত সি জানিব পাৰিলে ইয়াৰ আগতেও হেনো নৰেনে দুই-তিনিখন টেলিগ্ৰাম কৰিছিল, তাৰো কোনো উত্তৰ নাই। শেষত বহুত ভাবি-গুণি নিজৰ নামত এখন টেলিগ্ৰাম পঠালে। তাৰো কোনো উত্তৰ নিদিলে, কোনো ঘৰৰ পৰা নাহিলো। ৰবীন বৰ সমস্যাত পৰিল নৰেনক লৈ। খবৰ নোপোৱাহেঁতেন ভালেই আছিল। এনে অৱস্থাত পালেহি যেতিয়া—চকু-কাণ নিদিয়াও তাৰ পক্ষে অমানুষিক কাৰ্য্য হব। গতিকে ধাৰ-ঋণ কৰিও টকা-পইচা আনি ভাল ভাল ডাক্তৰক দেখুৱালে। নৰেনৰ বাপেকৰ প্ৰতি ৰবীনৰ পেটে পেটে বৰ খং উঠিল, আৰু এখন বৰ বেয়াকৈ চিঠি লিখিলে। চিঠি পোৱাৰ দুদিন পিছতে সদাগৰ নিজে আহি হঠাৎ হাজিৰ হল। তেতিয়া নৰেনৰ অৱস্থা অলপ ভালৰ পিনে আহিছে। ৰবীনে সদাগৰক বহুত বেয়া কথা শুনালে। সদাগৰে কলে, "ৰবীন, তুমি মিছাই মোৰ ওপৰত খং কৰিছাঁ। এই সকলোবোৰ নৰেনৰ টেঙৰালি বুলিহে মই অৱজ্ঞা কৰি বহি আছিলোঁ। সি আগেয়েও বহুত বাৰ এনে দৰে মিছা টেলিগ্ৰাম দি মোৰ পৰা টকা আনিছে। তুমি যে নিজে টেলিগ্ৰাম কৰিছাঁ মই কেনেকৈ জানো? নৰেনে নিজৰ নামত টেলিগ্ৰাম দি ফল নধৰাত তোমাৰ নাম দি টেলিগ্ৰাম কৰা বুলি ধৰি লৈছিলোঁ। চিঠিত তোমাৰ হাতৰ আখৰ দেখিহে বিশ্বাস হল।" ৰবীনে কি কব, নেমাতি থাকিল।

লাহে লাহে নৰেন ভাল হৈ আহিল। শেষত ৰবীনে গম পালে যে সিদিনা তাৰ হোটেলৰ পৰা ঘৰলৈ যাওঁ বুলি আহি নৰেনে স্কটিছ ছাৰ্চ কলেজত নাম লগাইছিল। নৰেনে টকা হেনো আহোঁতে মাকৰ বাকচৰ পৰা চুৰি কৰি আনিছিল। ভাল হৈ উঠিলত বাপেকে তাক ঘৰলৈ লৈ যাব খুজিলে। ৰবীনে কলে, "ঘৰলৈ বাৰু যাওক, কিন্তু গা সম্পূৰ্ণ ভাল হলে আকৌ ইয়ালৈ পঠিয়াই দিব যিহেতু নাম লিখি টকা-পইচা খৰচ কৰিলেই। নপঠালে সি যিহে লৰা পঢ়িবলৈকে এৰিব।" বাপেকো তাতে সন্মত হল। তেওঁ যাবৰ সময়ত কৈ গল, "তাক পঠাম বাৰু, কিন্তু সকলো ভাৰ তোমাৰ ওপৰতে থাকিল আৰু তোমাৰ লগত তাক ৰাখিবও লাগিব। কলিকতা এনেই খৰচৰ ঠাই অলপ চাই-চিতি খৰচ কৰিবলৈ দিবা মাথোন।"

নৰেন ঘৰৰ পৰা ভাল হৈ আহি ৰবীনৰ লগত একে হোটেলেতে থাকিল। প্ৰথম বছৰ এক ৰকমে কাটি গল।

নৰেনে ভাল মতে সদায় কলেজ কৰি আছে। তাৰ পিছতে পৰিল গৰমৰ বন্ধ। নৰেন তিনি মাহৰ কাৰণে ঘৰলৈ গল। সেই সময়তে দানুকুনি মৌজাত গণ্ডগোল লাগিল খাজনা দিব নোৱাৰাৰ কাৰণে। মৌজাদাৰৰ মৌজা গল। সেই সুযোগতে নৰেনৰ বাপেকে নৰেনৰ নামে মৌজাটো ললে। নৰেনৰ নামত ৰাখি বাপেকেই বৰ্ত্তমান মৌজা চলাব যেতিয়ালৈকে নৰেনৰ পঢ়া শেষ নহয়। ঘৰৰ পৰা মৌজা দহ-বাৰ মাইল অন্তৰত পৰে। ঘৰৰ পৰা সকলো সময়তে কাম চলোৱা সুবিধা নহয়। সেই কাৰণে দেহাৰ গাওঁতে এটা অফিচ ঘৰ সাজিলে। গোটেই গৰমৰ বন্ধটো নৰেনে বাপেকৰ লগত মৌজাৰ কামতে কটালে।

প্ৰায় তিনি মাহ হল ৰবীনে ৰোহিণীৰ একো চিঠি-পত্ৰ পোৱা নাই; আগতে প্ৰায় মাহত অন্ততঃ দুখন চিঠি ৰবীনে ৰোহিণীৰ পৰা পাইছিল। তিনি মাহ ধৰি চিঠি নাপাই সি অলপ চিন্তাত পৰিল। সি কেবাখনো চিঠি লিখিও একো উত্তৰ নেপালে। শেষত নৰেন সেই দেহাৰ গাওঁতে থকা বুলি জানি ৰবীনে এখন চিঠি লিখিলে যাতে সি গৈ ৰোহিণীহঁতৰ খবৰ-বাতৰি জনায়। কেইদিনমানৰ মূৰতে নৰেনৰ পৰা উত্তৰ আহিল। সি লিখিছে, "ৰোহিণীহঁত ভালে আছে। মই প্ৰায়ে তেওঁলোকৰ তালৈ গৈ থাকোঁ। মানুহে হেনো তোমালৈ চিঠি লিখিলে সন্দেহ কৰে। সেই গুণেহে চিঠি লিখা বন্ধ কৰিছে। চিঠিখন পাই ৰবীনৰ বেয়াহে লাগিল। সন্দেহ কৰা কথাটোৱে তেওঁৰ মনত বৰকৈ আঘাত কৰিলে। অৱশেষত মনক প্ৰবোধ দিলে, "ময়ো ডেকা, ছোৱালীও গাভৰু, সন্দেহ কৰিবৰ কথাই।" তেতিয়াৰ পৰা সি ৰোহিণীলৈ চিঠি-পত্ৰ লিখা বন্ধ কৰি দিলে।

* * *

গৰমৰ বন্ধৰ পিছত নৰেনৰ ভালেখিনি পৰিবৰ্ত্তন দেখা গল। চিঠি-পত্ৰ লিখাতে সি বেছি সময় কটায়। কলৈ কি চিঠি সি লিখে কেৱল নেদেখা-জনেহে জানে। পঢ়াৰ ফালে লাহে লাহে তাৰ ধাউতি নোহোৱা হল। ৰবীনে কত বুজায় সি তালৈ কাণকে নিদিয়ে। ৰবীনে বৰ বেজাৰ ভাব দেখুৱালে সি কয়, "মই পাছ কৰিবহে লাগে।" তেনেকৈ কলে ৰবীনৰ আৰু কবলৈ একো বাট নেথাকে। এদিন ৰবীন কলেজৰ পৰা আহি কিবা কাৰণত এটা ইংৰাজী শব্দৰ অৰ্থ চাব লগাত পৰিল। সি নৰেনৰ মেজৰ পৰা অভিধানখন আনি পাত লুটিয়াওঁতে চকুত পৰিল এখন চিঠি। সেই পিনেই তাৰ চকু থিৰ হৈ থাকিল। ওপৰতে লিখা আছে শ্ৰীমতী ৰোহিণী। বেচাৰী নৰেনে চিঠিখন লিখি উঠি যাবৰ সময়ত নিবলৈ পাহৰিলে। ৰবীনৰ তাৰ প্ৰতি বৰ সন্দেহ হল। চুটকেচটো খুলি তাত নো কি আছে চাবলৈ তাৰ বৰ হেঁপাহ জন্মিল। এটা চাবিৱালাক মাতি আনি সি চুটকেচটো খোলালে! তাত সি ৰোহিণীয়ে লিখা বহুত চিঠি পালে। ৰোহিণীৰ ওপৰতো তাৰ সন্দেহ জন্মিল। তাৰে দুই-এখন চিঠি সি খুলি চালে। এখনত লিখা আছে, "আপুনি মোক সন্দেহ কৰে কিয়? ৰবীন দাদাৰ লগত মোৰ একো বেয়া ভাব নাই; তেওঁক মই আপোন দাদাৰ দৰে দেখোঁ, তেৱোঁ মোক নিজৰ ভনীৰ দৰে দেখে। আপুনি কিয় তেওঁলৈ চিঠি লিখিবলৈ মোক হাক দিছে? তেওঁ কি ভাবিব যদি মই চিঠি নিলিখোঁ?" এই চিঠিখন নৰেনে স্কটিছ ছাৰ্চ কলেজত নাম লগায়ে লিখা চিঠিৰ উত্তৰ। তাৰ তাৰিখ দেখিয়েই বুজা গল। তেতিয়াহে ৰবীনে বুজিব পাৰিলে ৰোহিণীয়ে তালৈ চিঠি নিলিখাৰ গূঢ়াৰ্থ কি। নৰেনৰ ওপৰত তাৰ ঘৃণা ভাব হল আৰু ৰোহিণীৰ প্ৰতি স্নেহ বাঢ়ি উঠিল। নৰেনেই যে তাক বেছি সন্দেহ কৰে এই চিঠি-খনেই তাৰ প্ৰমাণ। সি বহুত কথা ভাবি-গুণি কাগজ-পত্ৰবোৰ ঠিকঠাককৈ আগৰ ঠাইত ৰাখি চুটকেচটো বন্ধ কৰি থলে। নৰেন ঘূৰি আহিলত তাক এইবোৰ কথাৰ শুংসূত্ৰকে জানিবলৈ নিদিলে। ৰবীনে নিজকে বৰকৈ ধিক্কাৰ দিলে কিয়নো সি দৌলৰ উৰুকা চাবলৈ গৈ নৰেনক ৰোহিণীহঁতৰ লগত পৰিচয় কৰি দিছিল। গুৱাহাটীৰ পৰা নৰেনে নলবাৰীলৈ ট্ৰেন্সফাৰ লৈ যোৱাৰ অৰ্থও সি তেতিয়াহে পালে। নলবাৰীলৈ যোৱাৰ পিছৰ পৰাই ৰোহিণীৰ লগত নৰেনৰ ভাব হয়। এই কথা ৰবীনে এখন

চিঠিৰ পৰাই জানিব পাৰিলে। নৰেনে যে ৰোহিণীক বিয়া কৰাব বুলি কথা দিছে সেই কথাৰো এই চিঠিখনত উল্লেখ আছে। ৰবীনে এনে সময়ত কি পন্থা অৱলম্বন কৰা তাৰ কৰ্ত্তব্য একো ভাবি নেপালে। সেই কাৰণে মনৰ কথা মনতে মাৰ নিয়াই হাত সাবটি বহি থাকিল।

* * * *

দ্বিতীয় বছৰৰ কথা। নৰেনে আগৰ ডোখৰ নপঢ়াকৈয়ে কটালে। ক্লাচলৈ হলে সি নিয়ম মতে অহা-যোৱা কৰে। পৰীক্ষাৰ ওচৰ পালত ৰবীনে অলপ বকাবকি কৰিলে সি নপঢ়ে দেখি। নৰেনে কিছুমান কিতাপ নাই বুলি কলে, তাকো ৰবীনে নিজৰ হাতৰ পৰা টকা দি কিনি আনি দিলে। তাৰ পিছৰ পৰা নৰেনে অলপ পঢ়া-শুনা আৰম্ভ কৰিলে। পৰীক্ষালৈ তিনি মাহ থকাৰ পৰা ক্লাচ বন্ধ হল। নৰেনে তাৰ লগৰ ছাত্ৰ এজনৰ লগত পঢ়িব বুলি ৰবীনৰ পৰা অনুমতিও ললে। পৰীক্ষা আৰম্ভ হল; নৰেনে নিয়ম মতে পৰীক্ষা দিছেগৈ। সদায় আনি সি প্ৰশ্নবোৰ ৰবীনক দেখুৱায়। ৰবীনে কেনে কৰিলে বুলি সোধাত সি পাছ কৰিম বুলিয়েই কলে। কেমিষ্ট্ৰিৰ পৰীক্ষা দি আহিবৰ দিনা তাৰ মনটো অলপ মৰা যেন দেখা গল। ৰবীনে সুধিলত সি কলে সিদিনা হেনো তাৰ পৰীক্ষা ভাল নহল; সি সকলো বিষয়তে পৰীক্ষা দি উঠিল। যদি কেমিষ্ট্ৰিত পাছ কৰে তেন্তে সি পাছ কৰাটো খাতাং।

পৰীক্ষা শেষ হোৱাৰ দুদিন পিছতে নৰেনে বাপেকৰ এখন চিঠি পালে তাক মৌজালৈ মাতি পাঠাইছে। তাৰ পিছ দিনাই সি টালিটোপোলা বান্ধি যাবলৈ ওলাল। যাবৰ সময়ত ৰবীনে কলে, "তোমাৰ ৰোল নম্বৰটো মোক দি যোৱাঁ। পাৰিলে মই খবৰটো দি পঠাম।" নৰেনে তাক চাৰিটা ৰোল নম্বৰ কাকত এখনত লিখি দি কলে, "ইয়াৰ ভিতৰতে মোৰ ৰোল নম্বৰটো আছে। ফেল কৰা জানিলে তুমি খবৰ নপঠিয়াব পাৰাঁ, গতিকে এই আটাই কেইটাৰে খবৰ পঠাবাঁ। যদি পাছ কৰোঁ তোমাক পিছত মোৰ ৰোল নম্বৰটো জানিবলৈ দিম।" ৰবীনে তাতে মান্তি হৈ কাকতখন থৈ দিলে।

দুমাহ পিছতে চিনেটত পৰীক্ষাৰ খবৰ দিলে। ৰবীনে লৰালৰিকৈ গৈ নৰেনে দি যোৱা নম্বৰ কেইটাৰ খবৰ ললে:—আটাই কেইজনে দ্বিতীয় আৰু তৃতীয় বিভাগত পাছ কৰিছে। কোন বিভাগত নৰেনে পাছ কৰিছে জানিবৰ কাৰণে সি বৰ উৎসুক হল আৰু তাৰ পৰা আহিয়েই নৰেনলৈ কাৰ্ড এখন লিখিলে। ভাগ্যে সেই কাৰ্ডখন গৈ পৰিল নৰেনৰ বাপেকৰ হাতত। তেওঁ পঢ়ি চাই নৰেনক খবৰটো দিলে। নৰেনে চিঠিখন পঢ়ি বাপেকক কলে, "মই পাছ কৰা নাই, ৰবীনে ভুল লিখিছে। কেমিষ্ট্ৰিত মই কোনো মতে পাছ কৰিব নোৱাৰোঁ।" বাপেকে তাক ৰোল নম্বৰটো সুধি ৰবীনলৈ ওভোতাই লিখি পঠালে। ৰবীনে চিঠি পাই তাৰ ভুল হৈছে ভাবি আকৌ গৈ চালে,—নৰেনে পাছ কৰিছে তৃতীয় বিভাগত। সি নৰেনৰ বাপেকলৈ তেতিয়াই তেতিয়াই টেলিগ্ৰাম কৰিলে। তাৰ তিনি দিন পিছত সদাগৰৰ পৰা ৰবীনে এখন চিঠি পালে। তেওঁ লিখিছে, "নৰেনে কয় সি ফেল কৰিছে। তুমি নো কেনেকৈ পাছ কৰা বুলি জানিলা? তোমাৰ টেলিগ্ৰাম পায়ো সি বিশ্বাস কৰা নাই। মোৰ সন্দেহ হৈছে, তুমি ভালকৈ খবৰটো লবাঁ।" চিঠি পাই ৰবীনৰ খং উঠিল। দুবাৰ একে কথাকে চালেগৈ, তাত নো কেনেকৈ ভুল হব পাৰে! তেন্তে সি নিশ্চয় ৰোল নম্বৰ ভুল কৰিছে। তাৰ আচলতে ৰোল নম্বৰ কি চাই আহোঁ বুলি ৰবীন নৰেনহঁতৰ কলেজলৈ গল। কেৰাণীক কথাটো কলতে তেওঁ বহি খুলি চাই ছমাহ আগতে নৰেনৰ কলেজৰ পৰা মাচুল নিদিয়া বাবে নাম কটা গৈছে বুলি কলে। সি আকৌ পৰীক্ষা দিলে কেনেকৈ! আচল কথা এতিয়াহে ওলাই পৰিল। অলপ অনুসন্ধান কৰি ৰবীনে জানিব পাৰিলে এজন বন্ধুৰ পৰা প্ৰশ্নবোৰ নি তাক দেখুৱাইছিল। কেইজনমান কলেজৰ বেয়া লৰাৰ ৰোল নম্বৰ নি তাক খবৰ পঠিয়াবলৈ দিছিল। নৰেনে ভাবিছিল নিশ্চয় ইয়াৰ ভিতৰত এজন নহয় এজন ফেল হব। সেই ৰোল নম্বৰ তাৰ বুলি কলে সকলো কথাৰে মূৰ মৰিল। তাৰ কপাল বেয়া, সকলো কথাৰ গুমুৰ ফাক হল। বাপেকে কথাটো জানিব পাৰি সিমানতে তাৰ পঢ়া বন্ধ কৰিলে।

* * *

এবছৰ কাল নৰেন কাম-বন নোহোৱাকৈ ঘৰতে বহি থাকিল। তাৰ পিছত বাপেকে মৌজাটোকে নৰেনক একচেটিয়া ভাৱে এৰি দি মৌজাদাৰ পাতিলে। সেই মুলুকত তেতিয়াৰ পৰা নৰেন হাকিম হৈ বহিল। বাপেক এৰা দি যাবৰ পৰা তাক লাঠি মাৰি গঙ্গাত পেলোৱা যেন হল। সি সঘনে ৰোহিণীহঁতৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ ধৰিলে। মাজে সময়ে ৰাতিও তাতে কটায়। ৰোহিণীহঁতৰ লগত তাৰ এনে ভাব হবলৈ পালে কেনেকৈ? সি তিনি বছৰ আগৰে কথা। নৰেনে প্ৰথম ৰাতি বাঁহ-বাৰীৰ মাজত ৰোহিণীক দেখিছিল। ৰবীনেই দৌলযাত্ৰাৰ উৰুকাৰ দিনা ৰাতি আতচ-বাজী দেখুৱাবলৈ নি তাক সেই সুবিধা দিছিল। প্ৰথম দিন দেখিবৰ পৰাই ৰোহিণীৰ প্ৰতি সি বিশেষ ভাৱে আকৃষ্ট হয়। নহলে নো চহৰ এৰি গাওঁৰ স্কুললৈ সি ট্ৰেন্সফাৰ লৈ পঢ়িবলৈ আহে নে? ৰবীনৰ লগত যাওঁতে ৰোহিণীৰ খুৰাকে তাকো মাজে সময়ে যাবলৈ কৈছিল। সেই সুবিধাটোকে সি আশ্ৰয় কৰি মনৰ হেঁপাহ পূৰাবলৈ মন মেলিলে। নলবাৰীলৈ অহাৰ কেই দিনমানৰ পিছতে ৰোহিণীক এবাৰ চাই আহিবলৈ তাৰ বৰ আগ্ৰহ হল। এদিন সঁচাসঁচিকৈ সি দেহাৰ গাওঁলৈ গল। ৰোহিণীহঁতৰ ঘৰ নদীৰ দাঁতিত। নদীৰ পৰাই সেই গাওঁৰ মানুহে পানী খায়। নদীৰ ঘাটৰ ওচৰতে এজোপা নাগেশ্বৰ গছ। নৰেন গৈ সেই গছৰ তলতে জিৰণি ললে। তাতে বহি সি ভাবিছে, "এদিনৰ মাত্ৰ দেখা। যদি চিনি নেপাওঁ বুলি কয় তেন্তে বৰ লাজত পৰিম। ৰোহিণী জানো মোৰ আগত ওলাব?" ইত্যাদি বহুত কথা সি গুণা-গঁথা কৰি আছে। এনেতে ৰোহিণী বাপুকণৰ সৈতে নদীৰ ঘাটলৈ পানী নিবলৈ আহিল। বাপুকণে তেতিয়া লৰি-ধাপৰি ফুৰিব পাৰে। নৰেনে ৰোহিণীৰ ফালে চাই লৰাটোক সুধিলে, "বাপু, জয় শইকীয়াৰ ঘৰ ক'ত?" অকণি লৰাই কি উত্তৰ দিব? আচলতে সি তাক সোধাও নাছিল। ৰোহিণীয়ে বুজিলে তাইকে উদ্দেশ কৰি এই কথা কৈছে। "আপুনি আমাৰ ঘৰৰ কথা সুধিছে" বুলি ৰোহিণীয়ে তাৰ মুখৰ ফালে চালে। চিনা চিনা যেন লাগিল কিন্তু কেতিয়া ক'ত দেখিছিল মনত নহল। নৰেনে সুবিধা পাই কলে, "এ, তোমাৰ নামে ৰোহিণী নহয়! মই পাহৰিছিলোঁয়েই।" আচলতে সি সকলো কথা জানে, ৰোহিণীকো দেখিয়েই চিনি পাইছে। আচল কথা ৰোহিণীৰ লগত তাৰ কথা পতাটো। ৰোহিণীয়ে সুধিলে, "আপুনি নো মোক কেনেকৈ চিনি পালে?" নৰেনে উত্তৰ দিলে, "সিদিনা ময়ে ৰবীনৰ লগত দৌলৰ উৰুকা চাবলৈ আহিছিলোঁ। তাতে তোমাক দেখিছিলোঁ। তাত উপৰি ৰবীনে তোমাৰ কথা বৰকৈ কৈ থাকে।" ৰোহিণীয়ে মিচিকীয়া হাঁহি এটি মাৰি সুধিলে, "ৰবীন দাদা কেনে আছে? আজি অনেক দিন তেওঁ চিঠি-পত্ৰ একো দিয়া নাই দেখোন! আপোনালৈ কিবা খবৰ দিছে নে?" নৰেনেও হাঁহি উত্তৰ দিলে, "এৰা দিছে, তেওঁ ভালে আছে।" সি মুখত যদিও হাঁহিলে পেটে পেটে ৰবীনৰ প্ৰতি তাৰ হিংসা ভাব উপজিল। তাৰ ধাৰণা ৰবীনৰ পৰা ৰোহিণীক হাত কৰা তাৰ পক্ষে টান হব, যদিও তাৰ ভনীয়েক প্ৰীতিলতাক তালৈ দিব খুজিছে আৰু সিও বিয়া কৰাম বুলি কৈছে! নৰেনে কিন্তু তাত সন্দেহ কৰে। ৰোহিণী সৰল-চিতীয়া ছোৱালী। তাই এইবোৰ কি বুজে! তাই কলে, "আপুনি অলপ অপেক্ষা কৰক, মই পানী কলহ লৈ আহি আপোনাক লৈ যাম।" বাটত যাওঁতে দুয়োৰো ভিতৰত বহুত কিবাকিবি কথা হল। ৰবীনে ৰোহিণীক কিমান মৰম কৰে প্ৰত্যেক কথাতে নৰেনৰ আগত তাকে তাই উল্লেখ কৰি গৈছে। নৰেনে কেৱল হুকাৰ ধৰি গৈছে। ৰবীনৰ কথা তাই যিমানে কয় সিমানে নৰেনৰ অন্তৰ দহি যায়—মুখ ফুটাই একো কবও নোৱাৰে। ঘৰ পায়ে চৰা-ঘৰটোৰ ফালে দেখুৱাই ৰোহিণীয়ে নৰেনক কলে, "আপুনি তাতে বহকগৈ! মই খুৰাক খবৰ দিওঁ আপুনি অহা বুলি।"

তেতিয়াৰ পৰা নৰেন মাজে সময়ে প্ৰায় ৰোহিণীহঁতৰ ঘৰলৈ গৈ থাকে। ক্ৰমে ক্ৰমে সি তাইৰ খুৰাক আৰু খুৰীয়েকৰ মনত সোমাল আৰু তেনে দৰে তেওঁলোকৰ অন্তৰ জয় কৰিলে। সেই সূত্ৰতে ৰোহিণীৰ লগতো তাৰ বিশেষ ভাৱে ঘনিষ্ঠতা জন্মিল।

তাৰ পিছতে সি কলিকাতালৈ গল পঢ়িবলৈ। তাৰ পৰাও বোহিণীৰ লগত চিঠি-পত্ৰ ঘন ঘনকৈ চলিছিল। সি বোহিণীক প্ৰলোভন দেখুৱালে বিয়া কৰাব বুলি। নৱেনে বোহিণীলৈ প্ৰায় চিঠিতে লিখে সি ৰবীনৰ স্বভাৱৰ ওপৰত সন্দেহ কৰে। সেই কাৰণে যেন বোহিণীয়ে তালৈ কোনো চিঠি-পত্ৰ নিলিখে। খুৰাক আৰু খুৰীয়েকৰো ইচ্ছা—নৱেনতে বিয়া দিব বোহিণীক। নৱেনে তেওঁলোকৰ আগতো সেই কথা প্ৰকাশ কৰিছিল। বোহিণীৰ কাৰণে টকা-পইচা দি তেওঁলোকক নৱেনে সহায়ো কৰিছিল। ওচৰ-চুবুৰীয়ই কিন্তু জানে ৰবীনইত তেওঁলোকৰ ঘৰ আত্মীয় মানুহ। নৱেনো এওঁলোকৰে কিবা সম্পৰ্কীয় হয়।

নৱেন মৌজাদাৰ হোৱাৰ পিছত বিয়াৰ প্ৰস্তাৱ উঠিল। অনেক ঠাইৰ পৰা ছোৱালীৰ খবৰ আহিল। নৱেনৰ কিন্তু ইচ্ছা বোহিণীক বিয়া কৰাবলৈ। তেওঁ বন্ধু-বান্ধৱক লগাই বাপেকক কথাটো কোৱালে। বাপেকৰ কিন্তু ইচ্ছা নহয়, নৱেনে দুখীয়া মানুহৰ ছোৱালী বিয়া কৰায়। বোহিণীৰ খুৰাকইত দুখীয়া। যদি নৱেনে তাত বিয়া কৰায় গোটেই পৰিয়ালকে পুহি থাকিব লাগিব। তাৰ উপৰি ছোৱালীৰ মাক-বাপেক নাই,—ভবিষ্যতে সি পাত পাবিব ক'ত। বহুতৰ হাতে বাপেকক নৱেনে ধৰাইছে, কিন্তু কোনো ৰকমে মাস্তি কৰিব পৰা নাই। বিয়াৰ এইবোৰ গণ্ডগোল চলি থাকোঁতেই তিৰোতাসকলৰ মাজত ফুচুক-ফাচাক শব্দ উঠিল বোহিণীৰ বিষয়ে। বোহিণীৰ খুৰাকে কথাটো জানিব পাৰি প্ৰমাদ গণিলে। কোনো মতে কথাটো প্ৰকাশ নো পাওঁতেই ছোৱালীজনী উলিয়াই দিব পাৰিলে ৰক্ষা পৰা যায়। নৱেনক তেওঁ বিয়াঘৰ সোনকালে পাতিব লাগে বুলি জোৰ কৰি ধৰিলে আৰু আকাৰে-ইঙ্গিতে তাৰে দুৰ্নাম মানুহে ৰটিব বুলি তেওঁ ভয় দেখুৱালে। তাৰ ইচ্ছা থাকিলেও বাপেকৰ বিনা অনুমতিত সি পাতো বুলি বিয়া পাতে কেনেকৈ? ইফালে হিংসুক কিছুমান মানুহে সদাগৰক বোহিণীৰ নামে বহুত বেয়া কথা লগালেগৈ। এনেকি বোহিণীৰ সৈ গাত দোষ চাপিছে তাকো কলে। এদিন বোহিণীইতৰ বংশৰ মানুহ এজনে সদাগৰক এনে দৰে ফুচুলালে, "দেউতা, শুনিছো আপুনি হেনো নৱেন বোপাইৰ আমাৰ জয়ৰামৰ ভতিজা ছোৱালী-জনী আনিব খুজিছে। আমি হলে কথাটো ভাল বুলিব নোৱাৰিলোঁ। সেইজনী বৰ নাক-কাটি ছোৱালী; তাই এতিয়াই গাঁ-বন্দী। নৱেন বোপাইক সৰল পাই মাস্তি নি খুৱাই-বুৱাই জয়ৰামে সেইজনীক গতাব খুজিছে যেন।। আপুনি তাত কেতিয়াও মত নিদিব দেউতা।" সদাগৰে তাৰ পিছ দিনাই চেকেৰা পঠিয়াই নৱেনক সত্বৰ কৰি দিলে সি যেন আৰু জয়ৰামইতৰ ঘৰলৈ নাযায়। তেওঁৰ কথা অৱজ্ঞা কৰিলে পৈতৃক সম্পত্তিৰ পৰা বঞ্চিত হব লাগিব—তাক তেজ্যপুত্ৰ কৰিব।

* * *

তেতিয়াৰ পৰা নৱেনে বোহিণীইতৰ ঘৰলৈ যোৱা বন্ধ কৰি দিলে। ইফালে বোহিণীৰ লগত তাৰ অপৰূপ মনোমালিন্যও হল। কিয় হঠাৎ দুয়োৰো ভিতৰত এনে বিকদ্ধ ভাব হল তাৰ আচল কাৰণ এতিয়াও আবিষ্কাৰ হোৱা নাই। বহুতে সন্দেহ কৰে নৱেনে হেনো অসময়তে সন্ধানটো নষ্ট কৰিবলৈ কৈছিল, কিন্তু বোহিণীয়ে নকৰো বুলি কলে। কিবা ঔষধ সি আনি দিছিল, তাই খোৱাৰে। পাপ কাম কিমান দিন লুকাই ৰাখিব পাৰে? লাহে লাহে সকলোবে জনাজাত হৈ পৰিল। সমাজে নিৰ্দ্দেশ কৰিলে জয়ৰাম শইকীয়াই বোহিণীক ঘৰৰ পৰা উলিয়াই দি প্ৰায়শ্চিত্ত হব লাগে। ইয়াৰ অন্যথা কৰিলে সমাজে তেওঁক আলপ কৰি থব। বৈণীয়েকে শইকীয়াক বুদ্ধি দিলে সমাজৰ লগত বিবাদ কৰি তেওঁলোকে কোনেকৈ পাৰিব। গতিকে বোহিণীক ঘৰৰ পৰা উলিয়াই দি প্ৰায়শ্চিত্ত হোৱাটোৱেই যুক্তিযুক্ত। তাৰ পিছত এদিন মিছামিছিকৈ খুৰীয়েকে বোহিণীৰ লগত কাজিয়া পাতিলে আৰু বহুত অকথ্য কথাবে গালি-শপনি পাৰিলে। বোহিণীয়ে তাৰ প্ৰতিবাদ কৰিবলৈ যাওঁতে "মোৰ ঘৰৰ পৰা এতিয়াই ওলা" বুলি চুলিত ধৰি তাইক টানি ঘৰৰ বাহিৰ কৰি দিলে। বেচৰীয়ে কান্দি কান্দি বাট ঘৰতে বাতিটো কটালে। গাওঁৰ মানুহবোৰে এনে নিদাৰুণ, এৰাৰ আহি কেৱে কিনো হৈছে বুলি খবৰকে নললে।

এই ঘটনাৰ পিছ দিনা পুৱাৰ কথা। খেতিয়ক-সকলে হাল-কোৰ লৈ পথাৰলৈ যাবলৈ ধৰিছে। তিৰোতা-সকলে বাহী বন কৰি কিছুমান উঠিছে, কিছুমান উঠা নাই। সৰু সৰু লৰা-ছোৱালীবোৰে কিতাপ-কলি হাতত লৈ এটা দুটাকৈ স্কুললৈ যাবলৈ ধৰিছে। তেনে সময়ত নৱেন মৌজাদাৰৰ ঘৰত হাহাকাৰ লাগি উঠিল। গণ্ডগোল শুনি বহুত মানুহ মৌজাদাৰৰ ঘৰৰ ফালে লৰ ধৰিলে কথাটো কি তাৰে সন্ধেৎ লবলৈ। ঢোক-মোকালিতে বোহিণীয়ে হেনো অনধিকাৰ চৰ্চ্চা কৰি নৱেনত হাই দাবী কৰিছিল। তাইক বৈণীয়েক হিচাপে নহলেও বান্দী হিচাপে ৰাখিব লাগে। নৱেনে তাইক ওলাই যাবলৈ কৈছিল, তাই নগল। তাতে খং কৰি সি মাৰি লগালে। সেই লাথিতে বেচাৰী হামুহুৰি খাই পৰিল আৰু মুখখন শিলত লাগি দাঁত দুটা ভাগি সৌলৈকে তেজ বৈবলৈ ধৰিলে। ক্ষন্তেক পিছতে তাই অজ্ঞান হৈ পৰিল। তাত গোটে খোৱা আটাই-বোৰ মানুহে ভেবা লাগি চাই আছে, অথচ তাইক যে তুলি ধৰিব লাগে এনে ভাব কাৰো হোৱা নাই। ইফালে জয়ৰাম শইকীয়াই খবৰ পালে মৌজাদাৰে বোহিণীক মাৰি অজ্ঞান কৰি পেলাই বৈছে। হাজাৰে হওক খুৰাক। তেওঁৰ মনত পৰিল ককাইক মৰিবৰ সময়ত তেওঁক লৰা-ছোৱালী হাল গতাই দি গৈছিল। বৈণীয়েকে নাহিব কাৰণে কত বুজালে। তেওঁৰ কিন্তু সেইবোৰ কথা মনত নোলোমাল। দৌৰি আহি বোহিণীক সাৰটি ধুনি লৈ কান্দিবলৈ ধৰিলে। ঘৰলৈ নিবলৈ সাহস নহল বৈণীয়েকে বা কি কিয়! অপৰ পিছতে তাইৰ অলপ জ্ঞান আহিল আৰু খুৰাকক দেখি মোক মাৰিলে বুলি কান্দি কান্দি আকৌ মূৰ্চ্ছা গল। শইকীয়াই কোনো মতে তাইক কোলাকৈ ঘৰলৈ লৈ গণ আৰু বাট ঘৰতে বিছনা এখনতে শুৱাই বৈ শুশ্ৰূষা কৰিবলৈ ধৰিলে। বৈণীয়েক কিন্তু এনে কঠিন মনৰ তিৰোতা যে এৰাৰ আহি খবৰো নললে তাই মৰিল নে জীয়াই আছে।

দুই তিনি দিনৰ মুবত বোহিণী উঠি ভুৰিৰ পৰা হল। কিছুমান মানুহে খুৰাকক বুদ্ধি দিলে নৱেনৰ ওপৰত ফুলচুৰি মোকৰ্দ্দমা কৰিব লাগে। গৱৰ্ণমেণ্টে নিশ্চয় দাবী মঞ্জুৰ কৰিব আৰু খোৱাক-পোছাক নৱেনৰ ওপৰত ডিক্ৰী দিব। বোহিণীক কথাটো কোৱাত তাই সম্মত নহল। তাই কলে, "আপোনাসকলে মোক তেনে কথা নকব। মই তেওঁৰ ওপৰত মোকৰ্দ্দমা কৰিব নোৱাৰিম। মোৰ ভাগ্যত যি আছিল হল আৰু যি আছে হব। এনে এদিন আছিল যাক নেদেখিলে তেওঁ ক্ষন্তেক থাকিব নোৱাৰিছিল। আজি যি গালত তেওঁ জোতাবে কোবাই খুন কৰিলে তাত তেওঁ শত-সহস্ৰ বাৰ চুমা খাইছিল। আজি তেওঁৰ সেই আদৰৰ বস্তুক, তেওঁ সেই কল্পনাৰ প্ৰতিমাক, মাটিত বগৰাই বগৰাই কোবালে, দাঁত ভাগি গল; আক কোবাওক, গোটেইবোৰ দাঁত ভাঙি পেলাওক, তথাপি মোৰ দুখ একো নাই। তেওঁ অক্ষুণ্ণ হল বুলি মই তেনে হব নোৱাৰিম। এতিয়াও মই তেওঁক ভাল পাওঁ। তেনে অৱস্থাত তেওঁৰ ওপৰত মোকৰ্দ্দমা কৰিম কেনেকৈ? সেইটো মোৰ দ্বাৰা নহয়। মোক যেন তেনে আদেশ নকৰে।" তাৰ পিছত খুৰাকে ঘৰৰ ওচৰতে তেওঁৰ আশ্ৰয়ত এফলিয়াকৈ ঘৰ এটা সাজি বোহিণীক থাকিবলৈ দিলে। তাকে লৈয়ে বৈণীয়েকৰ লগতো তেওঁৰ মনান্তৰ হল। শইকীয়াই বৈণীয়েকক কয়,—"সই মদলী কানীয়া হব পাৰো, তথাপি মোবো হৃদয় আছে, পৰৰ দুখত মোবো অন্তৰে কান্দে। বোহিণী মোৰ পৰ নহয় আপোন দাদাৰ ছোৱালী।"

বোহিণী জীলে হয় কিন্তু তাইৰ আৰু সেই ৰূপ নাই। যি বোহিণীক দেখিলে এদিন বাটৰ মানুহে ফিৰি চাইছিল, যাৰ সুন্দৰ চুলিটাৰি আৰু দাঁত দুপাৰি সুন্দৰীসকলৰ ঈৰ্ষাৰ বস্তু আছিল, আজি তাৰ কুৎচিত মূৰ্ত্তি দৰ্শক-সকলৰ ঘৃণিত। আঁচিত নিজৰ সুন্দৰ মুখখনি দেখি এদিন বোহিণী আনন্দতে আত্মহাৰা হৈছিল, আজি সেই আঁচিতে প্ৰতিফলিত নিজৰ ভয়ঙ্কৰী মূৰ্ত্তি দেখি বোহিণী নিজে ভয় খাই উঠে।

* * * *

আঠ বছৰ পিছৰ কথা। ৰবীনে এম-বি পাছ

কবিয়েই চাকৱিত সোমাল। প্ৰথমতে সি তেজপুৱত কাম পালে। তাতে প্ৰায় তিনি বছৰ থাকিল। সেই সময়তে সদাগৱৰ জীয়েক প্ৰীতিলতাৰ লগত তাৰ বিয়া হৈ গল। প্ৰীতিলতাই মেট্ৰিক পাছ কৰি কলেজত এবছৰ কাল পঢ়িছিল। বিয়াৰ পিছত পৰা তেওঁ পঢ়া এৰি দিলে। প্ৰায় মানুহবে ধাৰণা শিক্ষিতা ছোৱালী মাজেই বিলাসী হয়। সিহঁত গিৰীয়েকৰ এটা বোজা হৈ পৰে। সকলো ছোৱালীৰ গাতে সেই কথা নাখাটে। প্ৰীতিলতাই তাৰ প্ৰমাণ। গিৰীয়েক যদি ভাল হয় আৰু বৈগীয়েকক যদি চলাব জানে তেনে তেওঁলোকৰ গৃহ-সুখ স্বৰ্গীয় হৈ পৰে। ৰবীনৰ বৈগীয়েক যদিও শিক্ষিতা ছোৱালী তেওঁৰ ধৰণা বিষয়েও ভাল জ্ঞান আছিল আৰু নিজে ইচ্ছা কৰি সকলো কাম-কাজ শিকিছিল। শিক্ষিতা বুলি তেওঁৰ কোনো অভিমান নাছিল আৰু নিজ হাতে সকলো কাম-বন কৰিছিল।

এদিন আবেলি পৰত গিৰীয়েক বৈগীয়েক দুয়ো গণেশ ঘাটৰ ফালে ফুৰিবলৈ ওলাল। বাটতে মটৰখন থৈ দুয়ো ঘাটৰ ফালে খোজ কাঢ়ি গল। শাওণ মাহ। গধুলি পৰ। একাষে লাগিছে মাত্ৰ। ব্ৰহ্মপুত্ৰৰ পাৰ-সমান পানীয়ে গণেশ ঘাটৰ শিলবোৰক ধুৱা খাই এটা লালি-নিচিগা শব্দ তুলি অতি প্ৰখৰ গতিত যেন কাৰোবাৰ উদ্দেশ্যেহে ধাবি যৈছে; বাধা-বিঘ্ন একোকে মনা নাই, সমুখত যিকেই পাইছে তাকে উটুৱাই লৈ গৈছে। মাজে মাজে নাওত মৰা বঠাৰ শব্দ আৰু নাৱৰীয়াৰ কণ্ঠস্বৰ। এনে সময়তে তেওঁলোকৰ চকুত পৰিল এটা সাত-আঠ বছৰীয়া লৰা ঘাটৰ ওচৰতে শিল এটাত বহি আছে। ভালেমান পৰ ডাৱৰীয়া আকাশৰ তলত নদীৰ ঘাটত বহি সি কিবা ভাবি আছে। লৰাটো নিচেই গুজুৰা-ধীণোৱা হলেও মনযোগেৰে তালৈ চালে দেখা যায় তাৰ মুখখন বৰ শুৱনি। তাৰ সেই সুগঠিত মুখমণ্ডল নিৰাশাত ম্ৰিয়মান। তাৰ চকুলো গিৰগিৰকৈ বৈ ক্ৰমে সৌতত পৰিণত হল। সি নীৰৱে তললৈ মুৱ কৰি কান্দিছেহে কান্দিছে।

প্ৰীতিলতাই বহুত সময় লৰাটোৰ ফালে লক্ষ্য কৰি তাৰ ওচৰ চাপি গল। সি এনে দৰে কিয় বহি আছে তেওঁ সুধিলে, কিন্তু তাৰ মুখৰ একো জবাব নাই, সি কেৱল কান্দেহে। লৰাটোৰ প্ৰতি প্ৰীতিৰ বৰ পুতৌ জন্মিল আৰু ঘৰলৈ লৈ আহিবলৈ ইচ্ছা কৰিলে। গিৰীয়েকো সন্মত হল। ৰবীনে থানাত থাকৰ দি গণ গণেশ ঘাটত এটা সৰু লৰা পাই লৈ আছিছে, কাৰ লৰা হেৰাছে ঘৰৰ পৰা নিয়েহি যেন। প্ৰীতিয়ে লৰাটো লৈ গৈ তাৰ গা-পা ধুৱাই নতুন কানি-কাপোৰ পিন্ধাই বাতিটো বাঢ়িলে। বাতিপুৱাই এটা পান-বেপাৰী আহি কলে তাৰ চাকৰ লৰা এটা হেৰাইছে। ৰবীনে বেপাৰীটোক মাতি আনি সুধিলে সি কিয় পলাল, কিয় সিইতে বাতি থকৰ-বাতৰি লোৱা নাছিল। বেপাৰীটোৱে কলে, "দেউতা, মোৰ বৈগীৰ চুমাহমান হল এচুকৰি আপোনাৰ গোলাম হৈছে। তাক লৰলৈ এই লৰাটো গাওঁৰ পৰা আনিছিলোঁ। মাকক নগদ দুকুৰি কণ দিছোঁ, বোলোঁ মোক সুদ নেলাগে এই লৰাটোকে দে, সি মোৰ কেচুৱা লৰাটক বাঢ়িব। কালি সি কেচুৱাটো কোলাৰ পৰা পেলাই দিওতে বৈগীয়ে হনো এটা থলা-মুৰি মাৰিলে। বেটাৰ কি অভিমান! তেতিয়াৰ পৰা কৈ গল বিচাৰি নাপালোঁ।" প্ৰীতিয়ে ওলাই আহি কলে, "এই লৰাটো বাক মই বাখিলোঁ, তোমাৰ চুকুৰি কণ এতিয়াই মোৰ পৰা লৈ যোৱাঁ।" পান-বেপাৰীয়ে কলে, "আই, ইয়াক আপুনি বাখিব নালাগে, ইয়াৰ বাপেকৰ কোনো ঠিক নাই, জহবা লৰা। মানুহে বুলিব কি? লাগে মই আন এটা লৰা আনি দিম!" ৰবীনে সুধিলে, "বাক, ইয়াৰ মাকৰ ঘৰ ক'ত! তই জান নে?" "জানো তো দেউতা" বুলি বোহিণীৰ নাম কৈ তাইৰ গাওঁৰ নাম লোৱাতে ডাক্তৰে কৈ উঠিল, "থাক থাক আৰু নালাগে। তই এতিয়াই ওলা মোৰ ঘৰৰ পৰা।" ধমকি খাই সি বাহিৰ হল। বৈগীয়েকে কি হল বুলি সোধাত ৰবীনে কলে, "প্ৰীতি, মই সকলো বুজিছোঁ, তুমি আৰু সুধি মোৰ মনত আঘাত নিদিবা; আমাৰ বোহিণীৰ লৰা! তোমাৰ দাদাবাবুহে ইয়াৰ মূল।" প্ৰীতিলতাই আগৰে পৰা কথাকেইৰ কৌতূহল-কণাপৰ কথা সকলো নিজেই জানে আৰু ৰবীনৰ পৰাও সকলো শুনিছে। তেওঁ

হুমুনিয়াহ এটি পেলাই কলে, "আপুনি ইয়াৰ মাকৰ অনুসন্ধান লৈ মোক আনি দিয়ক; দাদাই আশ্ৰয় নিদিলে দই দিব। মই তেওঁক বাইদেউৰ দৰে বাখিম। আপোনাসকল পুৰুষবোৰে এনে কঠিন মনবেই। এবাৰ বাক ঘৰবো লব নাপায় নে?" তাৰ পিছত বহুত অনুসন্ধান কৰিও বোহিণীৰ কোনো খবৰ ৰবীনে নাপালে।

ৰবীনৰ শত্ৰুকেও বৰ ধৰ্ম্মভীক মানুহ। কাৰণাৰ মুখত তেওঁ খবৰ পালে যে জীয়েকে বোহিণীৰ লৰাক আশ্ৰয় দিছে; তাক লগতে বহুবাই যুৱায়, একেলগে ভুৱাই বাখে, স্কুলত পঢ়িবলৈ নাম লগাই দিছে, আৰু কত কি। তাৰ পিছতে সদাগৱে জীয়েকলৈ এখন চিঠি লিখিলে, "প্ৰীতি, মানুহৰ মুখে মই এইবোৰ কি কথা শুনো? তই হেনো বোহিণীৰ জহবা সন্তান এটাক আশ্ৰয় দিছ? মোৰ ছোৱালী হৈ এনেধৰণ কাম কৰিব পাৰ নে? হিন্দুৱানী আৰু নবয়! সমাজ আৰু নেথাকে! কালৰ সৌত কোন ফালে বৈছে মই তাকে ভাবি আচবিত হৈছোঁ। হিয়োতা জাতি যি চিবদিন মুখ মাবি দাসী বৃত্তি কবি থৈছিল, হাজাৰ লাখি মাবিলেও যি মুখেবে এটা কথা উচ্চাৰণ নকবিছিল, সেই তিবোতাই আজি মুৰৰ কাপোৰ ওঢ়াই পেলালে, লাজ-মান নিৰ্হতৰ নোহোৱা হল। তই মোৰ ছোৱালী হৈ সমাজ নমনা হলি। তোবো লাজ-মান নোহোৱা হল নে কি? মই এতিয়াও তোক কৈছোঁ সেই ডহবা স্থানটোক ঘৰৰ পৰা উলিয়াই দি প্ৰায়শ্চিত্ত হৈ উদ্ধাৰ হ। তই ছোৱালী মানুহ বুজিবি কি? মই আগেয়ে জানো তহঁতক মই শিকা দিলোঁ নে সমাজৰ শত্ৰু কবি তুলিলোঁ। এতিয়াও মই কওঁ বুঢ়াৰ কথা শুন—সমাজত থাকিবৰ যত্ন কৰ।"

চিঠি পাই প্ৰীতিলতাৰ খং উঠিল আৰু বাপেকলৈ লিখিলে, "পিতা, মই ইয়াক আশ্ৰয় দিয়াত যদি সমাজে মোক ঘৃণা কৰে, কৰক। তেনে সমাজত মই থাকিব নোখোজোঁ। নিবাশ্ৰয়ক আশ্ৰয় দিয়াটোৱেই যদি পাপ কাম হয়, হওক। সেই মহা পাতক মই সাদৰে ববণ কৰিম। যি সমাজ এনে সীমাবদ্ধ, এনে কঠোৰ, সেই সমাজত বাস কৰি মই নিজকে মহৎ বুলি ভাবিব নোখোজোঁ। মোৰ শেষ কথা—সি পতিতাৰ সন্তান, তথাপি যেতিয়া সেই সন্তানক মই আশ্ৰয় দিছোঁ যিমান দিন সি জীয়াই থাকিব আৰু ময়ো জীয়াই থাকিম, তিমান দিন তাক মই মোৰ ওচৰত বাখিম। পতিতাৰ সন্তান সি, এয়ে তাৰ অপবাধ, কিন্তু সিও যে ভগৱানৰ হাতে গঢ়া এটা জীৱ, সেই কথা আপোনাসকল জ্ঞানী হৈ পাহৰি যৈছে। পতিতা! কাৰ অপবাধত এই শিশুৰ এনে নিৰ্য্যাতন? আপোনাৰ টকা আছে গুণে আপোনাৰ লৰাৰ সেই মহা পাপ ঢাকি বাখিব পাৰিছে। ধাৰ্ম্মিক বুলি গৰ্ব্ব কৰিছে—কিহৰ ধৰ্ম্ম আপোনাৰ? কোন শাস্ত্ৰৰ দোহাই দিব খুজিছে? কোন শাস্ত্ৰত আছে অনাহাৰে নাৰী আৰু সন্তানক সমুখত বাখি নিজে খালে পুণ্য হয়? এয়ে আপোনাসকলৰ ধৰ্ম্ম, এয়ে আপোনাসকলৰ সমাজ, নহয় নে? পিতা, সেই দিন আৰু নাই। আপুনি তিবোতা-বোৰৰ ওপৰত দোষাবোপ কবি কৈছেঁ যে তেওঁলোক শিক্ষিতা হলে লাজ-মান একো নোহোৱা হয়; মুৰত ওবণি নলয়। মই কওঁ ওবণি মুণ্ডচালে আমাৰ সমাজ ওপৰলৈ উটিব কেনেকৈ? সমাজ গঢ়ি তুলিবলৈ হলে যেনেকৈ শিক্ষিত লৰাৰ দৰ্কাৰ তেনে দৰে শিক্ষিতা ছোৱালীবো দৰ্কাৰ। কেৱল সোঁ হাতখনেৰে কাম হলে বাওঁ হাতখনৰ একো প্ৰয়োজনেই নাছিল। সাত হাত ওবণি লৈ মানুহৰ মনত কৌতুহল জন্মোৱাতকৈ ওবণি ওচোৱাই ভাল। বিশেষ লিখি আপোনাক আমুনি নিদিওঁ। মই যি কৰিছোঁ! ভাল বুলিয়েই কৰিছোঁ। আপুনি জানি লৰ আগ্ৰৰ সেই দিন আৰু নাই। ছোৱালীবোৰেও সমাজত তেওঁলোকৰ স্থান ক'ত আৰু কৰ্ত্তব্য কি বুজে।"

বাপেকলৈ চিঠি লিখাৰ কেই দিনমান পিছতে নবেন গৈ হাজিৰ। নবেনে ভনীয়েকক লৰাটোক ঘৰৰ পৰা উলিয়াই দিবলৈ বৰেকৈ ধৰিলে। সি কয় তাৰ পৰা চেনো সিইতে কতো মুখ উলিয়াব নোৱাৰাত পৰিছে। প্ৰীতিলতাই খং কবি কলে, "দাদা, তোমাৰ মুখত তেনে কথা শোভা নেপায়। এই মহা পাপৰ কাৰণে দায়ী বোহিণী নে তুমি—তুমি বুকুত হাত দি কব পাৰা নে? পিতাৰ সম্পত্তি আছে গুণে তোমাৰ সেই পাপ ঢাক

থাইছে, কেৱে মুখ মেলি একো কব পৰা নাই, কিন্তু নাজানে কোনে? তুমি এই পাপ গোপন কৰিব পৰা নাই দাদা,—কৰিছে পিতাৰ টকাই। অবলা ছোৱালী এজনীৰ সৰ্ব্বনাশ কৰিবলৈ তোমাৰ লাজ নেলাগিল। তাক মই আশ্রয় দিছোঁ। সেয়ে তোমাৰ লাজ। তোমাৰ নাক কটা গল নহয় নে? ছিঃ! তোমাৰ লাজ নেলাগে এনে কথা মুখত আনিবলৈ?" নবেনে মুখ কলা কৰি ভনীকেৰ ওপৰত খং কৰি ঘৰৰ পৰা ওলাই আহিল—প্রীতিয়ে হেনো তাক অপমান্ কৰিলে। তেতিয়াৰ পৰা তাৰ কোনো খবৰ নাই, ঘৰলৈকো সি ঘোৱা নাই।

* * * *

ৰবীন তেজপুৰত তিনি বছৰ থকাৰ পিছত গুৱাহাটীলৈ বদলি হল। গুৱাহাটীলৈ আহিও সি বোহিণীৰ অনুসন্ধান কৰিলে কিন্তু কেৱে একো খবৰ দিব মোৱাৰিলে। এদিন ৰাতি প্রায় বাৰ বজাত কম্পাউণ্ডাৰে খবৰ দিলেহি,—"এটা ৰোগী সন্ধ্যা সময়ত ভর্ত্তি কৰা হৈছিল, সন্নিপাত জ্বৰ, এতিয়া প্রায় মৰোঁ মৰোঁ অৱস্থা হৈছে। আপুনি এবাৰ চাই আহিলে ভাল হয়।" "মই এতিয়া যাব নোৱাৰোঁ, তোমালোকে যি হয় কৰাঁগৈ" বুলি ৰবীনে কৈ পঠিয়ালে। কম্পাউণ্ডাৰক বিদায় দি সি শুবলৈ গল। দৈবীয়েকে সুধিলে, "নগল দেখোন?" "কৈল যাবাহে এই ৰাতিখন, যদি নমৰি থাকে ৰাতিপুৱা দেখা যাব।" দৈবীয়েকে ঠাট্টাৰ সুৰেৰে কলে, "ডাক্তৰৰ বিধানবোৰ এনেই হবলা, ৰোগী মৰিবৰ সময়ত ডাক্তৰ নাপায়, ভালে থাকিলে ডাক্তৰ হে ডাক্তৰ; ৰাতিপুৱাইনে আপনি যাব বুলি ৰোগীয়ে বাট চাই থাকিব নহয়?" ৰবীনে বৰ লাজ পালে আৰু তেতিয়াই তেতিয়াই বাইকণন লৈ হাস্পাতাল বুলি ওলাই আহিল। হঠাৎ নাহোঁ বুলি ডাক্তৰক অহা দেখি সকলোৱে আচৰিত মানিলে। ৰোগীৰ ওচৰলৈ ৰবীনে গৈ মুখৰ পৰা কাপোৰখন আঁতৰাই চাই দেখিলে বোহিণী। ৰবীনে গাৰ পৰা কোটটো দলিয়াই পেলাই দি নাড়ী চাবলৈ ধৰিলে আৰু কম্পাউণ্ডাৰক ঔষধ আনিবলৈ আদেশ দিলে। সকলোৱে দেখি আচৰিত মানিলে। ৰবীনে বোহিণী বোহিণীকৈ কেইবা বাৰো মাতিলে, কোনো উত্তৰ নাই। ৰবীন যোৱাত পলম হোৱা দেখি ইফালে দৈবীয়েকৰ চিন্তা হল। তাৰ পিছতে চাকৰটোৰ হাতত লেম্প এটা দি প্রীতিলতা নিজে হাস্পাতাললৈ আহিল, আৰু গৈয়ে কম্পাউণ্ডাৰক সুধিলে,"তেখেত ক'ত?" কম্পাউণ্ডাৰে কলে, "তেখেত ৰোগীৰ ওচৰত আছে, আপুনি অফিচতে বহক।" প্রীতিলতা একেবাৰে ৰোগীৰ ওচৰ পালেগৈ। ৰবীনে এনে সময়ত দৈবীয়েকক দেখি সুধিলে, "তুমি ইয়াত কিয়?" দৈবীয়েকে কলে, "আপুনি ইমান সময়লৈকে নোঘোৱা দেখি আহিলোঁ।" ৰবীনে কলে, "প্রীতি, আহিছা যেতিয়া ভালেই হল—চোৱা এয়ে মোৰ মৰমৰ ভনী বোহিণী। তুমি ৰবকৈ ইচ্ছা কৰিছিলা নহয়, এবাৰ শেষ সময়ত চাই লোৱা।" প্রীতিৰ গা কঁপি উঠিল। তেওঁ বোহিণীক সাৱট মাৰি ধৰি কান্দিবলৈ ধৰিলে। ৰবীনে কোনো মতে টানি তুলি আনি কলে, "এতিয়া ঘোৱাঁ প্রীতি।" প্রীতিয়ে "মই এতিয়া নাযাওঁ, মই তেওঁৰ কাষতে থাকিম" বুলি আকৌ বোহিণীৰ ওচৰতে বহি গা-মুৰ পিটিকিবলৈ ধৰিলে।

ৰাতিপুৱা বোহিণীৰ অৱস্থা অলপ ভালৰ দিশে যেন দেখা গল। এবাৰ তাই চকু মেলি চালে। ৰবীনে ওচৰলৈ গৈ কলে,"বোহিণী, তুমি মোক চিনি পাইছা নে?" বোহিণীয়ে দাদা বুলি গলত সাৱট মাৰি ধৰিলে। প্রীতিক ওচৰতে দেখি সুধিলে," এওঁ কোন দাদা মই চিনি পোৱা নাই।" ৰবীনে কলে,"বৌয়েৰা, তোমাক চাবলৈ আহিছে।" এনেতে প্রীতি ওচৰলৈ গৈ কলে, "ভাল হোৱা বোহিণী, মই তোমাক মোৰ বাইদেউৰ দৰে বাখিম।" বোহিণীয়ে কলে, "মই মৰিলে মোৰ বাচাৰ কি গতি হব? মৰিবৰ সময়ত তাক এবাৰ দেখাও নেপালোঁ। তাৰ বাপেক খাকিও নাই! বাপেকে পৰিচয় দিবলৈ লাজ পায়। বাচা মোৰ তেজপুৰত পান-বেপাৰীৰ ঘৰত আছে।" প্রীতিয়ে এটি হুমুনিয়াহ পেলাই কলে, "বোহিণী, লৰাৰ কাৰণে চিন্তা নকৰিবা, সি পান-বেপাৰীৰ লগত নাই মোৰ লগত হে আছে, তাক পঢ়িবলৈ দিছোঁ, মোৰ নিজৰ লৰাৰ দৰে বাখিছোঁ।" বোহিণীয়ে যেন সপোন দেখিলে, "ক'ত মোৰ বাচাধন এবাৰ দেখুৱা" বুলি প্রীতিৰ মুখৰ ফালে চালে। "মই তাক লৈ আহোঁগৈ" বুলি প্রীতিলতা ওলাই আহিল আৰু ক্ষন্তেক পিছতে লৰাটোক আনি মাকৰ দেখুৱালে। বোহিণীয়ে তাৰ মুখে-কপালে হাত বুলাই প্রীতিক গতাই দি কলে, "বয়সত সৰু হলেও মোৰ বৌ হোৱাঁ। বাচাক মোৰ তোমাক গতালোঁ। মোৰ অহিবনে তুমিয়েই তাৰ মাক।" বোহিণীয়ে আকৌ চকু মুদিলে। সেই মুদ খোৱা চকু আৰু মেল নেখালে। প্রীতিয়ে মাতিলে, "বোহিণী! বোহিণী!" এবাৰ নে দুবাৰ হোঁ হোঁ কৰি উঠিল, তাৰ পিছত সিও বন্ধ হল।

সুন্দৰ

কবিতা— শ্রীযুত পুণ্য চুৰবা।

সুন্দৰ, তুমি কোন পথে আহি
আকুল মনক ভুলোৱা?
মলয়া ছাটিৰ পৰশ লাগি,
কপৌ ফুলৰ পাহিত জাগি,
মনোহৰ বেশে হৃদি-কাননত,
অপৰূপ সুৰ শুনোৱা
সুন্দৰ, তুমি কোন পথে আহি
আকুল মনক ভুলোৱা?

স্পর্শত তোমাৰ—গোলাপ পাহিত,
কলীয়া অলিয়ে জোনাক বাতিত,
গুন্ গুনকৈ যি গীতি শুনাই উতলা কৰেহি হিয়া;
সেই সঙ্গীতৰ প্রতি মূর্চ্ছনাত
আপোনাক বিলাই দিয়া!!

সুন্দৰ, তুমি বিশ্ব মাজত ৰূপৰ মেলা খোলা,
অসীমৰ বীণৰ প্রতি তাৰঁতেই নৰ-নৰ সুৰ তোলা,
ফুলা কলিটিৰ প্রতিটি পাহিত
পুৰতি নিশাৰ পুৰৰী ছাটিত
ৰূপ-তুলিকাৰে যি বোল দিয়া—মধুৰ-মনোহৰ,
(সেই) তুলিকা স্পর্শে চিত্রিত কৰা ভাৰৰাশি হৃদয়ৰ!!

কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি

— কৃপাবৰ

সিদিনা গধূলি, কলিকতাত আজিকালি বিখ্যাত "লেক-ক্লবত" বহি আছোঁ, এনেতে এজনা সালঙ্কৃতা সুসজ্জিতা শিক্ষিতা মহিলা আহি মোৰ ওচৰতে বহিল। মই নমস্কাৰ জনাই চিনিব নোৱাৰি তেওঁৰ মুখলৈ চাই আছোঁ, এনেতে তেওঁ মাত লগালে,—"আপুনি কেনে আছে? আপুনি মোক চিনিব পৰা নাই হবলা। সেই তাহানি চিলঙত অমুক ঠাইত অমুকৰ ঘৰত আমাৰ দেখোন দিনৌ দেখা হৈছিল।" এই বুলি তেওঁ মোক তেওঁৰ নামটো কলে। মোৰ চাঁত কৰে মনত পৰিল। মহিলাটি এতিয়া কলিকতাত বৰ ধনী ডাঙৰ মানুহ এজনৰ বোৱাৰী তেওঁ মোক ভদ্ৰতা কৰিলে, সুধিলে "আপুনি কি খাব, কি দিবলৈ কম?" মই কলোঁ, "যিহকে দিয়ে সেয়ে মোৰ পক্ষে উপাদেয়।" তেওঁৰ আদেশত পানীয় আহিল। মই পান কৰিলোঁ আৰু তেৱোঁ মোৰ লগতে তাল ধৰি চলিল।

অলপ পৰৰ পিছতে আৰু তাল-জুৰীয়া এজুৰি আমাৰ অলপ দূৰতে বহিলহি। শুনিলোঁ, দুয়ো নতুন প্ৰেমিক-প্ৰেমিকা। তেওঁলোক সোমাই আহোঁতেই তাৰ লক্ষণ মোৰ চকুত পৰিছিল। অৰ্থাৎ ঠিক—

"তুমি তৰু আমি লতা,

তোমা বিনে পাই হে ব্যথা"—জাতৰ। তাৰ পিছত circumstantial evidence অৰ্থাৎ অৱস্থাটিত সকলোবিলাক কথালৈ চাই যি প্ৰমাণ পালোঁ সেইবোৰৰ বিস্তাৰিত বিৱৰণ অনাৱশ্যক। প্ৰেমিকজন হেনো ক্ৰোৰপতিৰ নাতিয়েক। তেওঁৰ গাতে ওলোমা-বাদুলি দি থকা সেই প্ৰেমিকাটিৰ নিমিত্তে তেওঁ হেনো ককাদেউতাক, বুঢ়ীমাক, দেউতাক, মাক আৰু ধন বয়-বস্তুকে আদি কৰি সৰ্ব্বস্ব পৰিত্যাগ কৰিবলৈ ওলাইছে। খবৰটো শুনি মোৰ মনত ভাবৰ অলেখ বুৰ্বুৰণি উঠিল। বুৰ্বুৰণিবোৰৰ আলেখলেখ "এক-চিত্ত-মনে" বহি ভাবি চাই থাকোঁতেই মোৰ কাষৰ পৰা সেই সালঙ্কৃতা সুসজ্জিতা শিক্ষিতা সুন্দৰী কেতিয়া উঠি গল মই কব নোৱাৰোঁ। সেই ললামভূতা সুন্দৰ-দৰ্শনা সুমুখী ললনাক মই মোৰ বিদায়ৰ বিভোৰ অভিভাষণৰ কথা একাষাৰকে শুনাবলৈ সুবিধা নাপালোঁ। কি দুখৰ কথা! মানুহৰ জীৱনত সুখৰ সমাজিক এই দৰেই নিষ্ঠুৰভাৱে অন্তৰ্দ্ধান হয়।

মোৰ ভাবৰ অলেখ বুৰ্বুৰণিৰ ভিতৰত যি কেইটাক মোৰ সোঁৱৰণে "গিৰিপদাৰ" কৰিব পাৰিলে, তাৰে গোটাচেৰেক আজি এই কাকতত লিপিবদ্ধ কৰিলোঁ। তাত যদি ৰজাৰ পণ্ডিত জীয়ৰীৰ গিৰীয়েক হৈ পণ্ডিত বোলাব খোজা কালিদাসৰ মুখৰ পৰা ওলোৱা "পাকে পোৰ্কোৎ" জাতৰ কথা ওলায়, তেনেহলে কৃপালু সুধীবৃন্দই মোক ক্ষমা কৰি. মোকো সেই জাতৰ "পণ্ডিতৰ" শাৰীতে যেন পেলাই থয়!

মই অনেক বিচাৰ আৰু বিবেচনা কৰি দেখিছোঁ যে "ভাল-পোৱা" শব্দটোক "প্ৰেম" শব্দটোৰ সৈতে জোৰাই দি "তৰ্জ্জমা" কৰিব একোপধ্যে নোৱাৰি। তেনেকৈ জোৰাই দি জোৰা-নাম গাবলৈ গলে প্ৰেমক লঘু লাঞ্ছনা কৰা হয়। এটাৰ কাষত আনটোক থিয় কৰি দিলে, মান্দ্ৰাজৰ চতুৰ্ব্বেদী আয়াৰ ব্ৰাহ্মণ এজনক জকাইচুকৰ চতুৰ্ব্বিধ মাছ মাৰিবৰ যন্ত্ৰেৰে মাছ-মাৰোঁতা কোনো এজনক একেখন পাটীতে একেখন জাপৰ তলতে একে লগে শুৱাই দিয়াৰ দৰে হব মাথোন। মোৰ উপমাসংশ্লিষ্ট এই দুই জাতৰ ব্যক্তি দুজনৰ ভিতৰত বৰ-সৰু, ওখ-নীহ বিচাৰৰ কথা মনত লৈ মোৰ উপমাটো মই দিয়া নাই। হব পাৰে হিচাপৰ বিচাৰত দুয়ো দুফালে

ওখ বা দুয়ো দুফালে তল, অথবা দুয়ো দুই মূৰে সমান। "কডলিভাৰ অয়েল"(codliver oil)আৰু "ইউডিকলোন"ক বিজাই দি সেই দুটাৰ বাহিৰা গুণাৱলীৰ কথাহে দেখুৱাবৰ মোৰ উদ্দেশ্য। অন্তৰ্নিহিত গুণত দুয়ো দুফালে শ্ৰেষ্ঠ, বৰং কডলিভাৰকহে হিচাপ মতে স্বাস্থ্য-ৰাজ্যত ওপৰ খাপত বহুৱাব পাৰি। সকলোৱে জানে, আৰু নাজানিলে জানি থওক, যে ময়ো হৰিজন "প্ৰপেগেণ্ডা"ৰ পূৰ্ণ "প্ৰপো-গণ্ডিষ্ট।" কিন্তু এফালে ভেচেলিনৰ গোন্ধ আন ফালে তুলসীৰ গোন্ধৰ গণ্ডগোলত "শয়নে ৰহতু হৰিৰ" সুখ-নিদ্ৰা আহিলে হয়। মই ব্যক্তিগত হিচাপতে দেখিছোঁ, মোৰ মুখৰ চেলেউৰ পৰা ওলোৱা কেটেহাকেটেহ গোন্ধত, অনেক সময়ত সজ্জনৰ কথাকে নকওঁ ভূতো মোৰ কাষৰ পৰা পলাই যাব খোজে। অৱশ্যে তেনে সমাবেশ আৰু সহবাসত কাকো আনন্দ উপভোগ কৰা দেখিলে, এই প্ৰবন্ধৰ লেখকে "বিহ্বলানন্দ স্বামী" উপাধি ধাৰণ কৰি, হয় পদব্ৰজে নহয় চাইকোলেৰে পৃথিবী পৰ্য্যটন কৰিবলৈ প্ৰস্তুত আছে।

বিশ্বকবিয়ে বিশ্বকবি হবৰ অনেক আগেয়ে প্ৰেমৰ লক্ষণ বৰ্ণাই গীত ৰচনা কৰি গাইছিল,—

"বিশ্ব চৰাচৰ লুপ্ত হয়ে যায়,
একি ঘোৰ প্ৰেম অন্ধ ৰাহু প্ৰায়,
জীৱন যৌৱন গ্ৰাসে।"

কবিতাৰ এধানমানো ধাৰ নোখোৱা অসমীয়া ৰচকে "কদম-কলি"ত লিখিছিল,—

"প্ৰেমত ঘূৰিছে ভূমণ্ডল।
প্ৰেমত ফুলিছে শতদল॥"

"ব্ৰহ্মাণ্ডৰ সত্ত্ব যিটো পৰিছে নিজৰি
গিৰি বন গছ-লতা সচেতন কৰি;
অমৃত হাঁহিৰে ৰং ফুলত ফুলায়;
যি শকতি প্ৰভাৱত মন্দাকিনী যায়;
অণু পৰমাণু মিলে আকৰ্ষি অন্তৰ,
পৃথক আতমা মিলি হয় একেশ্বৰ;
ব্যৱধান ক্ষয় হয়, ওচৰে আঁতৰ;
অব্যক্ত বেকত হয়, গুচে আত্ম পৰ;
সৰ্ব্বাঙ্গে সৰ্ব্বাঙ্গ লয় জীৱনে জীৱন;
আনন্দে আনন্দ, মহানন্দৰ স্ৰজন;
সংজ্ঞাৰ অতীত শক্তি; বিশ্বব্যাপী কায়,
ক্ষণিক সম্ভোগে যাৰ দেৱত্ব মিলায়;
মৰু বুৰে, শিল পমে বিন্দুৰ পৰশে;
প্ৰেম আখ্যা মহাশক্তি জগৎ প্ৰকাশে।"

প্ৰেম স্বৰ্গীয়। তাৰ ক্ষয় নাই, লয় নাই, ভয় নাই, সংশয় নাই। সৰ্ব্বসাধাৰণ মানুহৰ জীৱনলৈ এনে প্ৰেম স্বৰ্গৰ পৰা সোণৰ জখলাৰে নামি আহে জীৱনত মাথোন এবাৰ। মানুহ যে ঈশ্বৰৰ এটি ক্ষুদ্ৰাতিক্ষুদ্ৰ কণিকা সেইটোকে সি এবাৰ সোঁৱৰাই দি স্বৰ্গৰ বস্তু আকৌ স্বৰ্গলৈ গুচি যায়। কিন্তু অল্পকালস্থায়ী হলেও সেই প্ৰেমৰ ঠেলা চম্ভলা টান। চম্ভালিব পাৰিলে মানুহৰ আৰু ভয় নাই। কোনোমতে তাৰ ডকা চাকনৈয়া সাৰি গৈ সিপাৰৰ টান মাটিত ভৰি দিব পাৰিলে তোমাৰ বিপদ গল জানিবা।

প্ৰেম মানুহৰ গাত বৰ আই ওলোৱাৰ নিচিনা! তাৰ গুটি-সাঁচ মানুহৰ মুখত বৈ গলে সেই মানুহ-জন লাগে যদি পিছত আই ওলোৱা মানুহৰ মাজতে বহি থাকক তথাপি নিৰাপদ। প্ৰেম-জ্বৰে মানুহক তাৰ ষোলৰ পৰা পঁচিশ বছৰৰ ভিতৰলৈকে কাল ডোখৰত ধৰে। তাৰ পিছত তাৰ বীজাণু মৰি যায়, প্ৰেম-জ্বৰৰ প্ৰকোপ virulent type of মেলেৰিয়া জ্বৰৰ প্ৰকোপতকৈয়ো বেছি। মেলেৰিয়া জ্বৰৰ ১০৪—১০৭ ডিগ্ৰি তাপে তাৰ তাপক লৰি লগকে ধৰিব নোৱাৰে। তেনে অৱস্থাত প্ৰেম-জ্বৰৰ ৰোগীয়ে হয় আত্মহত্যা কৰে নাইবা লোকক খুন কৰিবলৈ ওলায়। পগলা-গাৰদটো তেনে ৰোগীৰ শহুৰেকৰ ঘৰ। সেই দেখি ডেকা লৰাই তাৰ পোন্ধৰ ষোল বছৰ বয়সতে ভালকৈ ছিটা (vaccination) লোৱা ভাল। আগন্তুক ৰোগীয়ে নিজে আগবাঢ়ি ছিটা লব নুখুজিলেও তাৰ হিতৈষীসকলে বলেৰে ধৰি ছিটা দিয়া উচিত; তেনেহলে পিছত ৰোগে বৰকৈ পীড়িব নোৱাৰে। সেই ছিটাৰ নাম ব্ৰহ্মচৰ্য্য আৰু সৎসঙ্গ।

কোনো কোনো উগ্রপন্থী চিকিৎসকে "বিষস্যবিষমৌষধং" প্রথা অৱলম্বন কৰি ৰোগ বৃদ্ধি কৰি তাৰ ভোগ সম্পূৰ্ণ কৰি, পিছত বীজ মৰিবলৈ ব্যৱস্থা কৰে। হোমিওপাথী, হাইড্ৰোপাথী, এলোপাথীৰ নিচিনাই ইও এক ৰকম উগ্ৰ-পাথী। কিন্তু এনে পথ বিপদ-সঙ্কুল (risky)। এনে পথৰ পথিক,—হয় "ইস্পাৰ" নহয় "উস্পাৰ" হয়। সেই দেখি এনে চিকিৎসাৰ প্ৰণালী মোৰ অনুমোদিত নহয়। এনে প্ৰণালীৰে শাখা-প্ৰশাখা স্বৰূপে তাহানি পুৰণি "বাঁহী"ৰ সম্পাদকে এটা "পাথী" বা পন্থা উলিয়াইছিল। সেইটোৰ নাম থব পাৰি "কাইব-পাথী।" সেই পাথী মতে তেওঁ ডাঢ়ি-গোফ ঠুটিৱা বা নুঠুটিৱা ৰোগীক তেওঁৰ "বাঁহী"ত প্ৰেম-কবিতা লিখিবলৈ এৰি দিছিল। কিন্তু তেওঁৰ কাইব-পাথীৰ চিকিৎসা-প্ৰণালীত দোষ ওলাল, আৰু সি বিপৰীত ফল প্ৰসৱ কৰিলে। ৰোগ বাঢ়ি বাঢ়ি কবিতাৰ "ফ্ৰেঙ্কেন্‌ষ্টিন" (Frankenstien) নামৰ প্ৰকাণ্ড দৈত্য হৈ উঠি শেহত সি তেওঁকে গিলিবলৈ মুখ ব্যাদান কৰি আহিল। অন্তত তেওঁ তৎ নাপাই কবিতাৰ কাঠ-সংস্কাৰ কৰিহে সেই বিপদৰ পৰা ৰক্ষা পৰিল। ভগবদ্গীতায়ো তেনে প্ৰণালীৰ অনুমোদন নকৰে। সেই দেখি গীতাই কৈছে,—"কামৰূপেন কৌন্তেয়! দুষ্পুৰেণানলেন চ।" জ্ঞানীৰ চিৰশত্ৰু কাম দুষ্পুৰ অনল। জুইত ঘিউ ঢালিলে জুইৰ তেজ বাঢ়িহে যায়।

যি হওক, প্ৰেম-জ্বৰে ধৰা কালডোখৰৰ লক্ষণৰ বিষয়ে দুষাৰমান কথা মই এইখিনিতে কোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ,—

সেইডোখৰ কালত যিটী প্ৰাণীয়ে আমাৰ হিয়াৰ তাঁৰ-ডালত আঙুলি বুলাই দি যায়, যিটীয়ে মুকলিৰ মুখত এবাৰ ফু দি পঞ্চম-ৰাগৰ গীত এষাৰ গাই যায়, যাক, আন নালাগে, ছয়াময়াকৈও এবাৰ দেখিলে আমাৰ হৃদয়ত থকা "ইলেক্‌ট্ৰিক বল্ব"ত ভমক্‌কৰে বন্তি জ্বলি উঠে, আৰু যিটো বৰ-ডুবিৰ ফালে আমাৰ জীৱন-বাৰিষাৰ প্ৰেম-নিঝৰা প্ৰবল বেগেৰে বৈ যায় সেইটি প্ৰাণী তেতিয়া তো আমাৰ চকুত তেজ-মঙহেৰে নিৰ্ম্মিত নহয়; সেইটি সৰগৰ "জোনাবাইৰ আগৰে একেটী আলসুৱা তৰা;" সেইটি নন্দন কাননৰ এটি অনাঘ্ৰাত ফুল, সেইটি বৰ্ণাব নোৱাৰা something অৰ্থাৎ এটি বস্তু যাৰ বিষয়ে কবলৈ গলে আমাৰ বুদ্ধি আৰু বাক্য হাৰি যায়। "প্ৰতিমা"ৰ কবিয়ে সেইটি বৰ্ণাবলৈ গৈ তাৰ কাষে কাষে গৈছে, যেনে,—

"ফুটো নে নুফুটোঁকৈ কুমলীয়া কলিটি
ওঁঠত লাজৰে বৈ মিচিকীয়া হাঁহিটি।
সামৰি পাহৰি গৈ মেলি আধা প্ৰাণটি
উদঙাই ঢাকি থৈ উঠি অহা বুকুটি।
সোলোকাই মোকোলাই এধা-বন্ধা খোপাটি,
হয় নে নহয়কৈ আধাফুটা মাতটি।
শুনোকি নুশুনো ঐ উটি অহা গীতটি
ৰিণিকি ৰিণিকিকৈ কৰবাৰ বাঁহীটি।
উচুপি নিচুকি গৈ খন্তেকীয়া ঠেহটি।
লুকুৱা ভুমুকাকৈ ছয়াময়া পেঁচটি।
হাঁহোৱেই নো কান্দোকৈ ছল্‌ছলীয়া চকুটি,
ধেমালি খঙৰ নৈ মিঠা গাঁঠি খোপাটি।
ওলাওঁ নোলাওঁকৈ মন মোহা ঠগটি,
"ন যযৌ ন তস্থৌ" অগা পিছা ভৰিটি।
চাওঁনে নেচাওঁকৈ মৰমৰ দেহিটি,
দেবী নে মানবী ঐ মাধুৰীৰ ছবিটি।"
"প্ৰেমৰ বাঁহীৰ মাতে, লাজৰ কঁপনি
বিয়পি নীৰৱ শুনো হিয়া খলকনি।
লাজ-শান্ত উত্ৰাৱল নবীন হৃদয়,
কি মধুৰ প্ৰভাৱৰ দিছে পৰিচয়।"

এনে Something-টিৰ হকে এনে কাম নাই যে আমি কৰিবলৈ আগ বাঢ়িব নোৱাৰোঁ। তাৰ নিমিত্তে তুমি মোক স্বৰ্গলৈ যাবলৈ কোৱাঁ যাব পাৰোঁ বা নোৱাৰোঁ—কিন্তু স্বৰ্গৰ সোণৰ জখলাত বগুৱা বাই উঠিবলৈ চেষ্টা কৰিম। নৰকলৈ "চালান দিয়া" আপত্তি নাই। হনলুলু, হংকং, পপকাটিপেটেল, পদপপলু ভেনিজুলা, পেৰু, মেক্সিকোলৈ পঠিৱা,—এতিয়াই টোপোলা-টাপলি বান্ধি ওলাম। আফ্ৰিকাৰ অগাধ অৰণ্যত সিংহ, বাঘ, ভালুক, মেঠোন আৰু পানীত ঘৰিয়াল, বামত অজগৰৰ

সমুখ হবলৈ কোৱাঁ, ততাতৈয়াকৈ মই পদব্ৰজে, বা চাইকোলেৰে, নাইবা আকাশী বিমানত উঠি যাবলৈ সাজু হম;—তেহেলৈ গাত যাবৰ শকতি থাককেই বা নাথাকক। তুমি জানি থবা যে মোৰ প্ৰেমৰ পাত্ৰীটীৰ ৰিহাৰ আঁচলৰ দহি এডালৰ বেচ মোৰ জীৱনতকৈ সৰহ। তেওঁ মানবী নহয়, দেৱী। নিশ্চয় তেওঁ, ধৰি লোৱাঁ, যে বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ "ত্বংহি।"

"শুভ্ৰ জ্যোৎস্না পুলকিত যামিনী
ফুল্ল কুসুমিত দ্ৰুমদল শোভিনী
সুহাসিনী সুমধুৰ ভাষিনী
সুখদা বৰদা।"

সেই দেবীৰ পূজাত মই উদ্বাউল। মোৰ ধন, জন, জীৱন, যৌৱন সকলো সেই দেবীৰ ৰঙা চৰণত উৎসৰ্গীকৃত। তেওঁৰ অবিহনে মোৰ জীৱন মৰুময়, ডিঙি শুকান, জিভা কৰ্কৰীয়া। তেওঁ মোৰ চকুৰ মণি, নাকৰ উশাহ-নিশাহ, হাতৰ লাখুটি, পূৰ্ণিমাৰ পোহৰ, পিয়াহত পানী, ভোকত ভাত, আঞ্জাত লোন, চুৰিয়াৰ খোচোনাত বান্ধি থোৱা কেচা-সোণ, ৰোমিওৰ জুলিয়েৎ, পুৰুৰবাৰ উৰ্ব্বশী আৰু উৰ্ব্বশীয়ে পুৰুৰবাৰ ওচৰত ন্যাস-ৰূপে থোৱা দুটি মেৰ ছাগ। বৰ্ণনাটো আৰু পাতলাই আনি কব পাৰি—তেওঁ পোহৰত মোৰ চেলেউৰ ধোৱাঁ, ঘামত কাঁচৰ গিলাচত চেচা চৰ্পত, বৰফ দিয়া "বিয়েৰ"-সুধাৰ ওপৰত থুপ খাই থাকি এটি-দুটিকৈ ফুটি মাৰ যোৱা বুৰ্বুৰণি আৰু চকুত সোণৰ বিত-চকু পিন্ধি প্ৰবন্ধ লিখিবলৈ বহোঁতে ভাবৰ বুৰ্বুৰণি। আৰু কিমান কম? মোৰ প্ৰেমৰ সেই লক্ষ্যৰ নিমিত্তে যদি কৰবাত খুন্দা খাই মোৰ আঠুৰ ছাল খেতেলি যায়, উজুটি খাই ভৰিৰ বুঢ়া আঙুলিৰ আগৰ নখ ছিগি তেজ ওলায়, হামখুটি খাই পৰি আগ দাঁত দুটা ভাগি সৰি যায়,—তথাপি সেইবোৰ মোৰ পক্ষে এখুৰি অগুৰু চন্দন, মালতী ফুলৰ চাকি, মথনিৰ ঘূৰ্ণীপাকৰ কোবত উঠা এবাটি লৱনু, পাগত-উঠা এক কলহ গুড় আৰু লং-দালচেনি-কাফুৰ-দেৱছালি-চুণ-খৈৰ দিয়া পাগত-উঠা এখন তামোল। আহা সেই মদিৰানন্দ! আহা সেই দপদপীয়া উছাহ! আহা সেই অন্তৰত উঠা উলাহৰ কিৰিলি! তাৰ সোঁৱৰণেও মোৰ মন-পুখুৰীটো খলকায়। হায়, আমাৰ দুইৰো নিভৃতত কি গোপন বিশ্বম্ভৰ আলাপ! মই আৰু কি বৰ্ণাম? মই অঃ-ফুট ভাষাৰে মোৰ প্ৰেমিকাক যি কৈছিলোঁ, মোৰ হৈ কবলৈ কবীন্দ্ৰ বিশ্বকবিকে লগাই দিওঁ:—

"তোমাৰ গোপন কথাটী সখি ৰেখোনা মনে।
শুধু আমায় বলো, আমায় গোপনে।
ওগো ধীৰ মধুৰ হাসিনী, বলো ধীৰ মধুৰ ভাষে।
আমি কাণে না শুনিব গো, শুনিব প্ৰাণেৰ শ্ৰবণে,
যবে গভীৰ যামিনী, যবে নীৰৱ মেদিনী,
যবে সুপ্তি মগন বিহগ নীড় কুসুম কাননে,
অশ্ৰুজড়িত কণ্ঠে বলো কম্পিত স্মিত হাসে,
বলো মধুৰ বেদনা বিধুৰ হৃদয়ে সৰম-নামিত নয়নে।"

হায় সেই দিন কলৈ গল! সেই সান্দহ খোৱা বালি কত কেতিয়া তল গল! আজি সেই বাউলী বয়সো গল, লগে লগে সিয়ো গল!

যাওক। যাওক। ঈশ্বৰৰ কৃপা যে মানুহৰ তেনে বলিয়ালিৰ অৱস্থা সৰহ দিন নাথাকে। আজি বয়সৰ লগে লগে হিয়াৰ দাপোনত মলিৰ কৰাল বান্ধিছে। সেই মলি সতকাই সকলোৰে নুগুচে আৰু দাপোন জলজলীয়াও নহয়। বোলোঁ বান্ধক তাত কৰাল। দয়ালু ঈশ্বৰৰ অভিপ্ৰায়ো সেয়ে। তেওঁক দয়ালু বুলিছোঁ এই বাবে যে তেওঁ আমাৰ শৰীৰ আৰু মনৰ অৱস্থা বুজি তাৰে সৈতে মিলাই আমাক আজি আন এটি বহুমূলীয়া বস্তু দিছে। ভাটীবেলাত দুপৰৰ প্ৰখৰ ৰদৰ উষ্মাই নুসুজে। মন্দাগ্নিত মাটিকাঁদুৰিৰ হে জোল, পলান্নং বিষং। উৎসৱৰ দিনা পিন্ধা সিংখাপ, গোমচেঙ, গাজৰ ৰিহা-মেখেলা গোঁসায়ে গাৰ পৰা কাঢ়ি নি চৌপৰৰ কামত লগা মুগা আৰু কপাহীৰ ৰিহা-মেখেলা, চুৰিয়া, চোলা, চেলেং আমাক দিছে। মানুহৰ ওৰে জীৱনটো বিয়া-সবাহতে নাকাটে। প্ৰেমৰ সলনি আজি আমাক দিয়া সেই বস্তুটিৰ নাম Affection, অৰ্থাৎ চেনেহ, ভালপোৱা বা মৰম। এই স্থিৰ, ধীৰ, গম্ভীৰ বস্তুটি আমাৰ জীৱন-জাহাজৰ ৰঙ্গল,

প্রেম-ধুমুহাৰ কালত চৌত এচাৰ থোৱাসকলক পিছত এই বস্তুটিয়ে সুখ-শান্তিত থিতাপি কৰে। ইয়াক জুৰ বন্ধা আৰু নেমুটেঙাৰ ৰস দি বন্ধা মৰাশাকৰ আঞ্জাও তোমাৰ মন গলে বুলিব পাৰা। ইগা, মুৰ আৰু পেট শীতল কৰে, আৰু আন নালাগে, বুঢ়া-যুটীৰ ভিতৰতো অমিয়া আনন্দ-সুখৰ তৃপ্তি সৃষ্টি কৰে।

এই দৰে "ভাবিত" আৰু ভাব নিমজ্জিত হৈ মই ক্লব ঘৰৰ সেই আসনত বহি থাকোতেই হঠাৎ জোঁৱাই লৰাই মোৰ পিছ ফালৰ পৰা মোক মাত লগালে।—অকলৈ বহি আছে দেখোন, উঠক ঘৰলৈ যাবৰ হল। মই চাৰিউফালে চাই দেখিলোঁ, সঁচা মোৰ কাষত কোনো নাই। সেই পূৰ্ব্বোক্ত সুসজ্জিতা, সালঙ্কতা আৰু মোক অযাচিত ভাৱে পানীয় প্রদাত্রী সুন্দৰী! মহিলাটিও নাই!

দেৱদাসী

—শ্রীদেৱকান্ত বৰুৱা

কাকদিবা? দিবাকাক মনৰ মাধুৰী বাশি, শৰীৰৰ
শোভা সুকুমাৰ?
দেৱতাক? দেৱতাৰ সুগুচে পিয়াহ হাঁয়, অভাগিনী!
প্রেমেৰে তোমাৰ।
দেৱতাক লাগে তেজ, বঙা তেজ লাগে মাথো মানুহৰ
আহত হিয়াৰ;
তুমি তাক দিবা প্রীতি!—চৰণত কান্দে যাৰ প্রেমাঞ্জলি
বস্তামেনকাৰ।
নন্দনৰ পাৰিজাতে, মন্দাপী হাতেৰে গঁথা মন্দাৰৰ
মোহন মালাই
যাক আমুষায়; তাক দিবা ধৰণীৰ ফুল? পুৱা ফুলি
গধুলি শুকায়!
বিলাসী ধনীক দিবা মুগৰ গড়াহ কাঢ়ি, ক্ষুধাতুৰ
দীন ভিখাৰীৰ?
দুইতক দিবা তুমি পিয়াহৰ পানীটুপি তৃষাতুৰ
পাৰৰ বালিৰ?

মাটিৰ সন্তান আমি, মাটিৰ বুকুত ফুলা কাঁইটিয়া
ফুলৰ সুষমা
আমাৰ কাৰণে সখী! আমাৰ কাৰণে কান্দে গাভৰুৰ
ওঁঠৰ লালিমা!
সংশয়ৰ ধুমুহাত নাচিছে আমাৰ নাও, বেদনাৰ
মহাসাগৰত;
আমাৰ দুখৰ তুমি নলবাসে ভাগবাক? বঙচাই
থাকিবা পাৰত?—
ভুল, ভুল, হিংসামত্ত দেৱতাৰ ইৰ্ষাৰ বেদীত মই
বলিযে মাগোন;
আদিম যুগৰ সেই শঙ্কাতুৰ মানুহৰ অন্তৰৰ
ভয়ৰ স্পন্দন।
সৃষ্টিৰ দিনৰে পৰা, নিয়তিৰ সতে হেৰা মানুহৰ
সংগ্রাম অক্ষয়;
মই তাৰ স্মৃতিস্তম্ভ,—সৌৱৰাই মানুহৰ বীর্য্য আৰু
নিয়তিৰ জয়!

পঞ্চ-প্রদীপ

[নাটৰ হৈ এগছি]
(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ বি, এ, বি,টি

(৩)

গ্রীক জাতিৰ নাট্যলীলা হঠাৎ উঠি হঠাৎ মাৰ গল কিয়? ভাৰতবর্ষৰ দৰে সিবিলাকে নাট্যলীলাৰ তান্ প্রাণে প্রাণে শুনা নাছিল নে কি? ভাৰতবর্ষৰ যি ছৰ্য্যোগ, যি বিপ্লব, ভাৰতবর্ষৰ দৰে নাট্যলীলাত স্পৃহা নথকা যি প্রবল জাতিৰ শাসন সি ইউৰোপৰ হাহাকাৰতকৈ কোন গুণে কম? এই প্রশ্নৰ উত্তৰত কোনোৱে যদি কয় এই গ্রীক জাতিৰ নাট্য সম্বন্ধে যি উত্তেজনা বা উদ্দীপনা সি সমগ্র জাতিটিলৈ অহা স্বাভাবিক অন্তর্জাগতৰ উদ্দীপনা নহয়, বাহজগতৰ সংস্পর্শত এজনৰ হৃদয়ত জলি উঠা অধিক উদ্দীপনা জাতিৰ আকাৰগত সৌন্দর্য্যৰ চর্চ্চাত লীন হৈ গল, সি জাতীয় নাড়িত ঔষধৰ ক্রিয়া—অরন্ধাদৰ লগে লগে নিমাত হৈ পৰিল—তেনে তৰ্ক উক্তি যে যুক্তি নাই তাক সহজে কোৱাটি টান।

এই উত্তৰটি গৰকি চাবলৈ হলে অলপ ভিতৰলৈ গৈ প্রথমে 'ইস্কিলচ'ৰ আদি দৃশ্যকাব্যলৈ চকু দিব লাগিব। 'ইস্কিলচে' বোলে সত্তৰখনি নাটক লিখি থৈ গৈছিল। তাৰে দহ ভাগৰ নভাগ হেৰাল। যি সাতখনি পাবলৈ আছে তাকে ইউৰোপৰ প্রায় সকলো ভাষালৈ ভাঙনী কৰিছে; 'দি পাৰচিয়ান' নাটকখনত 'এটচা'ৰ মৃত্যু প্রসঙ্গত পাৰস্যক গ্রীচৰ ভনী বোলা, আৰু স্থানান্তৰত পাৰস্যৰ জাকজমকৰ বর্ণনা আছে, ইজিপ্ত আৰু নীল নদীৰো উল্লেখ আছে। 'প্রমথিয়চ চেইনড্' নাটকত 'হমাৰ'ৰ প্রমথিয়চে স্বর্গৰ পৰা অগ্নি আনি পৃথিবীত দিয়া ধিটি ঘটনাৰ উল্লেখ আছে সিটি ভাৰতৰ আতৰিখা বা প্রমথে স্বর্গৰ পৰা অগ্নি আনি পৃথিবীৰ ভূগুক দিয়া কথাবে কথান্তৰ বুলি মেক্সমুলাৰ আৰু কয় প্রমুখে বিদ্বান-সকলে ভাবে। 'ইস্কিলচে' এই ঘটনা নিছিল 'হমাৰৰ' পৰা। 'এগেমনৰ' কমিডি যেগেৰিয়াৰ পৰা যোৱাৰ প্রবাদ, আৰু 'এবিষ্টফেনিজ'ৰ 'দি বার্ড' নামৰ নাটকত ইচপৰ সাধুকথাৰ উল্লেখ আছে। এই সাধুবিলাকৰ ওপৰত ভাৰতৰ প্রভাৱ বৰ বেছি বুলি বহুতে বিশ্বাস কৰে। এনেকুৱা দুই চাৰিটা কথাত বাজে কোনো বিশেষ প্রমাণযোগ্য উল্লেখ অনুবাদত ধৰাটো টান। এনে ধৰণৰ উল্লেখৰ পৰা নাটকৰ পম ধৰিব নোৱাৰি। দৃশ্যকাব্যৰ লেখক 'ইস্কিলচ'ৰ নাটক কিমনি অকল সময়ত প্রথমেই নহয় গুণতো অতি উচ্চ ধৰণৰ। প্রথমে তেওঁৰ নাটক দুজন অভিনেতাবে আৰম্ভ কৰিছিল। পাচলৈহে 'চফক্লিজ'ৰ নাটকৰ সুবিধাৰে চাই ঠাই বুজি তিনিজনো কেতিয়াবা দিছিল। দুজন অভিনেতাই আৱশ্যক বুজি মুখা সলাই অভিনয় কৰিছিল। এই নাটক কিমনিৰ এখনি লৈ বাৰে বাৰে পঢ়িলে এনে লাগিব যেন এখনি মহাকাব্যৰ চাৰি পাঁচোটি অধ্যায় একে লগে পঢ়িছোঁ। তাৰ আৱৃত্তিৰ অংশ দুটি অভিনেতাই কৈ গৈছে আৰু কবিৰ মন্তব্যোৰ পাৰিপার্শ্বিক বর্ণনাখিনি 'কৰাচ' বোলা গায়নে এবাৰ আগলৈ এবাৰ পাচলৈ গোজ দি যষ্ঠীৰ সুৰত গাব লাগিছে। এই ধাৰণা হোৱা অতি স্বাভাবিক। 'বৰাট পটাৰ' চাহাবে কৰা 'ইস্কিলচ'ৰ অনুবাদৰ ভূমিকাত হেন্ৰি মৰিয়ে লিখিছে—"ইস্কিলচে নিজে কৈছিল বোলে তেওঁৰ নাটকবিলাক মহাকবি হমাৰৰ যি বিনন্দ-বিলাস, তাৰে খণ্ডবিশেষ।" নাটক কিমনিত হাজ বসৰ বাহিৰে প্রায় সকলো বসেই আছে; করুণ,

ভয়ানক, বীভৎস আৰু বীৰ ৰসৰ ভাগ বেছি। হত্যাকাণ্ড ৰঙ্গমঞ্চৰ ওপৰত দেখুওৱাবৰ সুবিধা দিয়া নাই, অথচ মৃত শৱ আৰু বিকট পিশাচীৰ দৃশ্যেৰে আতঙ্ক জগোৱাইছে। নাটকৰ প্ৰায়খিনিয়ে বিয়োগান্তক নহয়। মাজে মাজে স্বৰ্গৰ দেৱতাৰ মন আকৰ্ষণ কৰিবলৈ করুণ উক্তি আছে। প্ৰায় সকলো নাটকৰ মাজেদি নিয়তিৰ দুৰ্ণিবাৰ গতি অতি মাত্ৰাত ফুটি পৰিছে। তাৰ শেষ কত, একো মীমাংসা নাই। নাটক তিনিখনি একে লগে লগ লগালে একেখনি 'ট্ৰায়লজি' হয়—অৰ্থাৎ এটা ঘটনা সমষ্টিৰ বা ট্ৰায়লজিৰ তিনি ভাগৰ একো একো ভাগ ট্ৰেজেডি আৰু তিনিও ভাগ লগ লগালেও এক সংলগ্ন ট্ৰেজেডিয়ে হয় আৰু ঘটনাটি ভালকৈ ফুটি পৰে। এই দৰে 'আগমামন্‌ন', 'সফৰে' আৰু 'ইউমেণ্ডিচ' এই তিনিওখনি নাটক একেলগ লাগি এখনি পূৰ্ণ নাটক হয়।—ইস্কিলচৰ নাটকত যি গভীৰ ভাবপ্ৰবাহ আৰু দৈৱশক্তিৰ যেনে চালনা, তেওঁৰে পৰা উদ্দীপনা পোৱা চফক্লিজৰ নাটকত তেনে প্ৰবাহ বা চালনা কমি আহি গ্ৰীকৰ আকাৰগত জাতীয় ভাব আৰু লাৱনি বেচি পৰিমাণে ফুটি পৰিল। 'ইস্কিলচ'ৰ মুঠেই সংস্পৰ্শত নহা 'ইউৰিপিডিজ'ৰ নাটকত সি একেবাৰেই কমি ইউৰোপৰ নাটকৰ সাধাৰণ পাশবিকতাৰ বীজ আৰু ফুটি পৰিল, নিয়তিৰ দুৰ্ণিবাৰ গতিক আৰু অন্ধ কৰি তুলিলে আৰু চৰিত্ৰতকৈ আবেগত বৰ বেচি প্ৰাধান্য দিলে। চফক্লিজৰ নাটকলৈকে মানুহ কি হোৱা উচিত তাৰ আভাস পোৱা গৈছিল,—ইউৰিপিডিজৰ নাটকত মানুহ কি আছিল তাৰ হে সন্ধান জিলিকি উঠিল। ইস্কিলচৰ নাটকৰ কৰাচৰ যি উদ্দেশ্য সি কমি আহি ইউৰিপিডিজৰ নাটকত কঙ্কালসাৰ হৈ এক গতানুগতিক কৰাচ হৈ পৰিল। ইস্কিলচে হয়তো এক উদ্দেশ্যেৰে ৰঙ্গমঞ্চত মৃত্যুৰ দৃশ্য দেখুওৱা নাছিল। চফক্লিজে তাকে অনুসৰণ কৰি সেই দৃশ্য দেখুওৱা নাই যদিও নাটকত এনে এটা জঘন্য মহাপাপৰ উক্তি একাধিক বাৰ কৰিছে যাৰ উচ্চাৰণ শুনিলে ভাৰতবৰ্ষৰ নিচেই সাধাৰণ সমাজো চকি উঠিব। এই খিনিতে চফক্লিজ মূল উদ্দেশ্যৰ পৰা আঁতৰি গল। ইস্কিলচ আৰু ইউৰিপিডিজৰ ট্ৰেজিডিৰ মাজত যি পাৰ্থক্য সি উন্নতিৰ নহয় অৱনতিৰ হে পাৰ্থক্য। ইয়াৰ পৰাই ভালকৈয়ে বুজিব পাৰি ইস্কিলচে এক বিশেষ পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত নাটকৰ প্ৰেৰণা পাইছিল। সেই অৱস্থাৰ নানান স্মৃতিৰ উদুলিমুদুলিত নিজৰ জাতীয় ভাবলৈ চকু দি সেই ভাব নাটকত ফুটাবলৈ বেচি অৱকাশ নেপাইছিল, গতিকে এওঁৰ নাটক কিখনিয়ে জাতীয় জুতিৰ সিমান সুৱাগ চৰাব নোৱাৰিলে। কিছু কাল সংসৰ্গত থাকি চফক্লিজে ইস্কিলচৰ প্ৰাণৰ প্ৰেৰণাৰ কাল্পনিক আভাস পাইছিল, পাৰিপাৰ্শ্বিক অৱস্থাৰ স্মৃতি নেপালে; সেই দেখি নিজৰ জাতীয় ভাব ফুটাবৰ অৱকাশ পাই নাটক কেউখনি জাতীয় জুতিৰ তুলনাত বেচিকৈ উপাদেয় কৰিব পাৰিলে। ইউৰিপিডিজে সংসৰ্গ নোপোৱাত ইস্কিলচৰ সকলো উদ্দেশ্যৰ যথাযথ মৰ্ম্ম গ্ৰহণ কৰিব নোৱাৰি নিজৰ বুদ্ধিৰে নাট্যলীলাক অন্যপথে লৈ গল।

এই কালৰ এই ট্ৰেজেডি কেউখনিয়েই ইউৰোপীয় নাটকৰ আদি মূল বুলি সকলো ইউৰোপীয় বিদ্বানেই স্বীকাৰ কৰে। এই ট্ৰেজিডি কিখনি ভাৰতৰ ভাস বা কালিদাস, শূদ্ৰক আদিৰ নাটকেৰে মিলাই চালে দুই শ্ৰেণীৰ ভিতৰত সবিশেষ সাদৃশ্য একো নেদেখি। যি এক মৃত্যু আৰু লোমহৰ্ষক কাণ্ড প্ৰদৰ্শনৰ নিষেধ বিধি অথবা অঙ্কাদিত স্থান কালৰ ঐক্য সম্বন্ধে সামান্য সাদৃশ্য দেখা যায় তাকো আকস্মিক বুলি ধৰিব পাৰি। সেই কাৰণে অনেকেই দুয়োধাৰা পৰস্পৰ মুখাপেক্ষী নহৈ দুয়ো দেশতে স্বাধীন ভাৱে বৈ অহা নাটক বুলি বিশ্বাস কৰে। মেকডনাল্ড প্ৰমুখ্যে বহু বিদ্বানে কব লাগিছে—"সাদৃশ্য ভালেখিনি আছে যদিও ইউৰোপৰ ট্ৰেজেডি ইউৰোপৰে, তাৰ ধৰণৰ নাটক ভাৰতত নাই।" ইউৰোপৰ ট্ৰেজেডিৰ ধৰণৰ নাটক সেই কালৰ ভাৰতত থকা প্ৰমাণ সঁচাসঁচিকৈয়ে নাই। কিন্তু সাদৃশ্য ভালেখিনি দেখিলে কত সেইটোহে ভাবিব লগীয়া কথা। ভাৰতৰ বৌদ্ধ যুগৰ নাটকেৰে ট্ৰেজেডিৰ সাদৃশ্য সবিশেষ

নাই যেতিয়া হয় এইটো সিবিলাকে পুৰুষ পৰম্পৰাই শুনি অহা এক প্ৰবাদ, নহয় একেবাৰেই অমূলক কথা। অকল মেকডনাল্ড, এৰাৰডিল কিথেই এই সাদৃশ্যৰ কথা কৈ এৰা নাই, ৱেবাৰ, হবন চেদ্ৰাৰ, উইণ্ডউইচ আদি জনদিয়েক ইউৰোপীয় বিদ্বানে আৰু এফেৰা গৈ এই সাদৃশ্য লৈয়ে ভাৰতৰ নাটকৰ ওপৰত গ্ৰীকৰ নাটকৰ প্ৰভাৱৰ কথা খোলাখুলিকৈ প্ৰমাণ কৰিব খোজে। সিবিলাকে দিয়ে যুক্তি এই—গ্ৰীকৰ নতুন কমিডিৰ 'পেৰেচাইট' আৰু 'পিম্প', ভাৰতৰ বিদূষক বা বীট: কোনো কোনো গ্ৰীক নাটকৰ অভিনেতা পাঁচজন, নাট্যশাস্ত্ৰই দিয়া অভিনেতাৰ সংখ্যা পাঁচজন; গ্ৰীক নাটকত মৰণৰ দৃশ্যাদিৰ অভাৱ, ভাৰতৰ নাটকত তেনে দৃশ্য বা লোমহৰ্ষণ কাণ্ড অভিনয় কৰাৰ নিষেধ বিধি, গ্ৰীকৰ 'যৱনিকা' আদিৰ ব্যৱহাৰ, ৰজাৰ লগত যৱনী অৰ্থাৎ গ্ৰীকৰ লিগিৰীৰ উল্লেখ; ভাৰতৰ ৰামগড়ত গ্ৰীক 'এম্ফিথিয়েটৰ'ৰ দৰে নাট্যমণ্ডপৰ চিহ্ন; মৃচ্ছকটিকা নাটকত গ্ৰীক নাটকৰ ধৰণ, ভাৰতত গ্ৰীক নাটকৰ অনুবাদ অভিনীত হৈছিল বুলি কোৱা ক্ৰিচচ্‌টিউমৰ উক্তি। অকল এয়ে নহয়, কোনো কোনোৱে কয় কালিদাসে প্লটাচ আৰু মেনেণ্ডাৰৰ নাটকো বোলে পঢ়িছিল। এইবিলাক ঠেং এৰি লাখুটিত ধৰা যুক্তিৰ বিপক্ষে চিলভাঁ লেভি আৰু ৰেপচন প্ৰমুখ্যে কেবাজনেও সুন্দৰ সাৰুৱাকৈ কৈছে। ইণ্ডিয়ান এডুকেচন চাৰ্ভিচৰ ৰওলিন্সন চাহাবে সিদিনা প্ৰণয়ন কৰা 'ইণ্টাৰকৰ্চ বিটুইন ইণ্ডিয়া এণ্ড ডি ইষ্টাৰ্ণ ৱৰ্ল্ড' নামৰ কিতাপখনিত সাৰুৱাকৈয়ে লিখি গৈছে, "মৃচ্ছকটিকা আৰু গ্ৰীক নাটকৰ সাদৃশ্যটো একেবাৰেই কাল্পনিক। কালিদাসে প্লটাচ বা বা মেনেণ্ডাৰ পাঠ কৰাৰ কথা কোনো যুক্তিৰেই সমৰ্থন কৰিব নোৱাৰি। গ্ৰীচৰ ৰাজৰাণী আৰু কৰ্ম্মচাৰী আদি থকা সত্বেও গ্ৰীক সভ্যতা ভাৰতত সোমাব নোৱাৰি হিন্দুকুচৰ ইপাৰেই ভালেখিনিতে ৰল। ভাৰতীয় মন্দিৰ আৰু গ্ৰীক 'পাৰ্থিনন'ৰ যি প্ৰভেদ, ভাৰতীয় নাটক আৰু গ্ৰীক ট্ৰেজেডিৰ সেই প্ৰভেদ।" পূৰ্ব্বপক্ষৰ যুক্তিবিলাক যে ঘোৰা শিঙৰ কৰিয়া তাক আৰু বহলাই নকলেও হয়। নাট্যশাস্ত্ৰত পাঁচ সন্ধিৰ কথা আছে, পাঁচ অভিনেতাৰ কথা ক'ত পালে কব নেৱোৰি। বৌদ্ধ যুগৰ নাটকৰ অধিকাংশতে দেখোন পাঁচজনতকৈও অধিক অভিনেতা। ভাৰতৰ যৱনিকা যেনেকৈ যি অৰ্থত ব্যৱহাৰ হৈছিল মুকলি আকাশৰ তলত কৰা সেই কালৰ গ্ৰীক অভিনয়ত কেনেকৈ যে যৱনিকা চলিছিল বুজাটো টান। ভাৰতীয় নাটকত যৱনী সহচৰী থকাৰ যি উল্লেখ আছে সি থাকিবই লাগিব, কিয়নো সেই কালত অকল গ্ৰীচৰে নহয়, 'ৰম' আৰু 'স্পেইনৰ' লিগিৰীও ভাৰতৰ ৰাজ-কাৰেঙত থকাটো ইতিহাসৰ কথা। 'পিচেল' চাহাবে ভাৰতৰ বীট বা বিদূষকত গ্ৰীক প্ৰভাৱ নেদেখি 'মিডোল কমিডি'ৰ 'পেৰেচাইট' বা 'পিম্প'ত তাৰ অবিকল ওলোটাটো হে দেখিছে। ভাৰতৰে অতি পুৰণি নাট্যশাস্ত্ৰৰ যি দৃশ্যাদি নেদেখুওৱাৰ বিধান, সেই বিধান গ্ৰীক নাটকত আছে, অথচ 'এৰিষ্টটলে' দেখা বোলা গ্ৰীক ট্ৰেজেডিৰ তিনি 'ইউনিটিৰ' সংযোগ ভাৰতৰ নাটকত সবিশেষ নাই।

বিদ্বান মণ্ডলীৰ ভিতৰত এনে যুক্তিৰে ইমান গধুৰ প্ৰতিজ্ঞা এটি প্ৰমাণ কৰিবলৈ যোৱা চেষ্টা দেখি এইটো হে বেচিকৈ বুজি গ্ৰীক আৰু ভাৰতীয় নাটকৰ যে কিবা এটি সম্বন্ধ আছে সেইটো যেন জাতি আৰু পুৰুষ পৰম্পৰা বিশ্বাসত সিবিলাকে হাড়ে হাড়ে অনুভৱ কৰে, কিন্তু উপস্থিত কাৰ্য্যক্ষেত্ৰত দুই বিভাগৰ বিশেষ মিল নেদেখি অৰ যুক্তি তত সানি নিজৰ স্বদেশপ্ৰেমৰ বিজয়কে ঘোষণা কৰে।

৫২৭৮/অ:

আজি প্ৰায় আঢ়ৈ হেজাৰ বছৰৰ আগৰ ঘটনাৰ আন্দাজ কৰি বৰ্ত্তমান সমালোচকে যি কৈছে তাত প্ৰকৃত সত্যৰ যেনে সন্ধান পোৱা যায় তাতকৈ বহুত বেচি সন্ধান পাব পাৰি সেই ঘটনাৰ পাঁচ ছশ বছৰৰ ভিতৰতে লিখা লিখকৰ পৰা। এনে এজন গ্ৰীচৰ আদি লিখক "ক্ৰিচচটিউম"। তেওঁ লিখি গৈছে, "হোমাৰৰ কাব্য নিজ ভাষালৈ ভাঙি ভাৰতবাসীসকলে ভাও-ভঙ্গিমাৰে অভিনয় কৰিছিল। প্ৰিয়াম, এণ্ড্ৰমেকি আৰু হিকুবাৰ করুণ বিলাপৰ কথা, এচিলিচ আৰু হেক্টৰৰ বীৰত্বৰ কথা ভাৰতবাসীৰ নজনা নহয়।" 'ৰওলিন্সন' চাহাবে

এই কথা ফাকি সাধুকথা বুলিব খোজে। 'ক্রিচচটউমব' কিছু পাচবে আক অতি পুবনি লিখক 'প্লুটার্ক' আক 'এইলিয়ানে'ও যেতিয়া এই একে কথাকে কয় তাক সাধুকথা বুলি উবাব নোৱাবি। সিবিলাকে ঘটনাটি নিচেই ওচবব পবা চাবলৈ পাই আক হয়তো এনে অনেক কিবা দেখি স্থিব কবিছিল সিবিলাক আজি আঠৈ হেজাব বছবব পাচত অইন কি কল্পনাতো ভাবিবলৈ টান। যি দেখিছিল সি হমাবব অনুবাদব দবেও হব পাবে, অথবা হমাবব সাদৃশ্য থকা কোনো নাটালীলাও হব পাবে। সীতা আক হেলেনব কাহিনীত এনে এক সাদৃশ্য দেখিয়েই অনেক বিদ্বানে হমাবব হেলেনত সীতাব ৰূপান্তব বুলিবও খেজে। হমাবব ইলিয়াডত এনে ধবণব সাদৃশ্য দেখি গোটেই উপাখ্যানটকে অধ্যাপক 'মেক্সমুলাবে' দেখাদেখিকৈ ঋগ্বেদব পনীব গোহবণব ৰূপান্তব বুলি ঘৈছে। ইমানবিলাকব সাদৃশ্য সম্বন্ধে বিশ্বাস, আক বিশেষকৈ আদি গ্রীক লিখকব উক্তিব পবা এইটো বেচ প্রমাণিত হয় যে সেই কালব ভূমধ্যস্থসাগবব পাবলৈকে বিয়পি থকা ভাবত সভ্যতাব পোহবত এনে কিবা গ্রীক ট্রেজেডিব দবে বীব আক ককণ বসব অভিনয় খৃষ্টীয় দ্বিতীয় শতিকালৈকে গ্রীকব চকুত পবাকৈ ভাবতবাসীয়ে অভিনীত কবিছিল,—সি অভিনয়ত হমাবব কাব্যব যথেষ্ট সাদৃশ্য আছিল।

এতিয়া চোৱা যাওক ভাবতব এনে কি নাটক আছে যাক এনে দবে অভিনীত কবিব পাবি। একে কথাবে ভাবতবাসীয়ে কব—সি আমাব বামায়ণ। হাস্য বসব নামত অযোধ্যাকাণ্ডব কুঁজীব কুঁজ বর্ণন প্রসঙ্গত যি ছুটমান শ্লোক আছে তাত বাজে গোটেইখনি বামায়ণতে হাস্য বসব প্রবাহ—বিশেষকৈ বীব, ভয়ানক আক ককণ বসব। ককণ বস বামায়ণব স্থায়ী বস—সি তাব প্রাণ। এই বামায়ণ ছজন 'কুশীলব'ব দ্বাবা দিনে কুবি সর্গকৈ মুকলি ঠাই বাজ-প্রাসাদ আদিত নানান ভাবভঙ্গিয়াবে, মুললিত তন্ত্রীলয়েবে অভিনীত কবাব কথা বামায়ণব গাবে উত্তবাকাণ্ডব ১০৬ অধ্যায়ব দশম শ্লোকতে ফটফটীয়াকৈ লিখা আছে। ছজন অভিনেতাই গোটেই বামায়ণব অভিনয় কবিব লগীয়া হোৱাত পাচলৈ ঠাই বুজি দেৱতা বাক্ষস বা বান্দবব মুখা পিন্ধি অভিনয় কবাটো অতি স্বাভাবিক। গ্রীক ট্রেজেডিবে বামায়ণব ভিতবি মিলো যে নাছি সিও নহয়। বামায়ণত গ্রীক ট্রেজেডিব দবে দেৱতাবে কবা ককণ উক্তিও আছে, আক পদে পদে নিয়তিব দুর্গিবাব গতিব দৃষ্টান্তও আছে। জন্ম-জন্মান্তবব প্রভাব, সত্যব নামত বাজ্যদান, পতিব নিমিত্তে পত্নীব সহ্মব ত্যাগ ইত্যাদি অনেক বিষয়ব সাদৃশ্য বিচাবিলে পোৱা যায়। অন্য কি প্রশংসাত বৈ বৈ যোৱা গ্রীক ট্রেজেডি 'অবিষ্টট'ক অনুসবণ কবা যি ভয়ঙ্কব 'ফিউবি' দলব কথা পোৱা যায় তাবো আভাস অশোক বনব সীতাক ঘেন মৃগীক সততে বেষ্টন কবি থকা 'কুকুবী'দলব দবে শিখাচী দলব অভিনয়তে যথেষ্ট আছে। নাট্যশাস্ত্রব ইঙ্গিতত মবণাদিব দৃশ্য নেদেখুৱাইছিল বামায়ণে, তাক দেখুৱা নাই গ্রীক ট্রেজেডিয়ে; কিন্তু বিলাপ কবোৱাবব বেবিকা দশবথ, বালী বা বাৱণব মৃত শব মঞ্চত দেখুৱাইছিল বামায়ণে, তেনে অৱস্থাত তাকে কবিছিল গ্রীক ট্রেজেডিয়ে। শূর্পনখাব নাসিকা-ছেদন, মাৰীচ-নিধন, আক সীতা-হবণ এই তিনিওটি ঘটনা অক্ষয় অলঙ্কাবেবে এটি এটিকৈ দেখুৱালে তিনিখনি ট্রেজেডি, আক একে লগে একে দিনে দেখুৱালে সেয়ে হল সীতা-হবণব 'মাহলহি'। বামায়ণব বামব বনবাস, চিত্রকূট মিলন, অথবা বালি নিধন আদি একো একোটি ঘটনা সেই সেইবিলাকৈ গাই এবিলে সেয়ে হল ট্রেজেডি। ট্রেজেডি বুলিলে অইন সি একো নহয়, হাস্য বসব বাহিবে অন্য বসব বিশেষকৈ ককণ বসব প্রাধান্যেবে মহাকাব্যব কোনো মনত লাগি যোৱা অধ্যায়দিয়েকব অথবা তেনে ধবণব লৌকিক বৃত্তান্তব নাটক—য'ত নিয়তিব দুর্ব্বাব গতিত দেৱতা আক মানবব শক্তি ব্যর্থ হৈ পবে, আক যাব উপায়হীনতাব ককণ কাহিনীত দর্শকব হৃদয় সহানুভূতিবে গলি যায়। ট্রেজেডিক বিয়োগান্তক বুলিলে ভুল হয়। গ্রীক ট্রেজেডিয় অধিকাংশই বিয়োগান্তক নহয়। কমিডি আচলতে হাস্যবসাত্মক, আক ট্রেজেডি হল হাস্যতব বসাত্মক। অকল সীতা-হবণ বা লক্ষ্মণ-বর্জ্জনব অভিনয় দেখিলে প্রাণত



৺আনন্দৰাম বৰুৱাৰ সৌৰণি ফলি

[কলিকতা ৰুনিৱাৰ্সিটিৰ আলিগঞ্জ ষ্ট্ৰেণ্ড কলেজত স্থাপিত
২৪ চ'ত ১৮৫৬ শক। ৭ এপ্ৰিল, ১৯৩৫ ইং।]

ছবিখন মোৰ ইস্কিচ। ডেভি, কলিকতা।

ৰবটৈক লাগে ; কিন্তু গোটেই ৰামায়ণখনি জনা অনৰ হৃদয় হিমান আকুল বা অস্থিৰ হৈ নুঠে। সেই কাৰণে য'ত হয় ৰামায়ণখনি প্ৰায় আগৰ পৰা গুৰিটৈকে হোৱাৰেই ব্যৱস্থা দেখা যায়, আৰু এই দম্ভৰ আজিও অযোধ্যাৰ ৰামলীলাই ৰাখি আছে। কিন্তু হমাৰৰ কাব্য গোটেইখনি এনে দৰে অভিনীত নোহোৱাত বা সাধাৰণৰ জানিবৰ সুবিধা নথকাত এনে একোটি কৰুণ অভিনয়ৰ পাচত আকুলতা জাগি উঠে, শেষত কি হল জানিবৰ নিমিত্তে প্ৰাণ অস্থিৰ হয়। এই শেষৰ শেষ মীমাংসা তেতিয়াও গ্ৰীচত সকলোৱে গ্ৰহণ কৰিব পৰাকৈ স্থিৰ হোৱা নাছিল ; কিয়নো 'পাইথাগোৰাচ' প্ৰভৃতি দাৰ্শনিকে সেই কালত অকণ অন্যান্তৰলৈকে হে আগুৱাইছিল। শত হাজাৰবেৰে এই যে মানৱী জীৱন তাৰ শেষ ক'ত এই প্ৰশ্ন তেতিয়া প্ৰশ্নই হৈ আছিল। নিয়তিৰ এই দুৰ্ব্বাৰ গতিৰ পৰা মুক্তি বা নিৰ্ব্বাণৰ বাৰ্ত্তা তেতিয়াও শুনা নাছিল। গতিকে সেই কালৰ নাটকত নিয়তিক অন্ধ আৰু দুৰ্জ্ঞেয় কৰি চিত্ৰিত কৰাই স্বাভাবিক। এই হ'হা-কন্দাৰ জীৱনত আজি হয়তো কান্দি কান্দি মুবছি পৰিলোঁ। আজিৰ কান্দোনক আঁহিতে শেষ কৰি এক সুকীয়া ঘটনাকৈ চোৱা এক কথা, আৰু অনন্ত জীৱন জোৱা শিকলিৰ এপাহি বুলি এই কান্দোনক তাৰ হাঁহিটিৰ পোহৰত লৈ চোৱা আৰু এক কথা। তেহেলৈ সেই হওক, এই জীৱনকে জীৱনৰ সৰ্ব্বস্ব বুলি ভৱা গ্ৰীক আৰু ইউৰোপীয় জাতিয়ে এই ট্ৰেজেডি কথনিকে আগ্ৰহেৰে অনুকৰণ কৰি পাচলৈ জগতক কৰুণ বা লোমহৰ্ষক সেই সেই কাণ্ড একোটি লৈ নাটক লিখিবলৈ ললে। কাব্যৰ অংশত মহাকাব্যৰ শেষ উদ্দেশ্য সুমুটাদি এই নাটকবিলাকৰ প্ৰায় সকলোতে জগতৰ শেষ উদ্দেশ্যৰ গন্ধ নাইকিয়া হল। তৰ্কস্থলত সিবিলাকে কবলৈ ধৰিলে জগতত কত 'প্ৰমথিয়ছ', কত 'ইডিপচ কলনিয়চ', কত 'হেমলেট', কত 'লিয়েৰ'ৰ জীৱন দিনে দিনে এই দৰে ব্যৰ্থ হব লাগিছে, নাটক তাৰে কাহিনী জীয়াৰ দৰে দেখুওৱাই দৰ্শকৰ সহানুভূতি আকৰ্ষণ কৰি হিয়াত এটি সাঁচ বহুৱাই দিব পাৰিলেই নাট্যকাৰৰ হল। তাতো যদি কোনো-বাই মানৱী জীৱনৰ হাহাকাৰৰ মাজত জগতৰ অতি মহৎ নৈতিক উদ্দেশ্যৰ কিবা প্ৰমাণ বা গন্ধ বিচাৰে তেনে ব্ৰাণ্টাৰ বেলেৰ সুৰে সুৰে অনেক সমালোচকে একে কথাতে কৈ দিব নাট্যকাৰ নীতিশাস্ত্ৰকাৰ নহয়। আমিও কণ্ঠ নাট্যকাৰ নীতিশাস্ত্ৰকাৰ নহব পাৰে, কিন্তু সেই বুলি তেওঁ দুনীতিশাস্ত্ৰকাৰো নহয়। ট্ৰেজেডিৰ গুৰিতে এই গলদ বৈ গল। তাক ঢাকিবৰ মনেৰে আজিও ইউৰোপৰ কত সমালোচকে কত কথাৰ অৱতাৰণা কৰিছে, নাট্যকাৰৰ কৰ্ত্তব্যাকৰ্ত্তব্য সম্বন্ধে কত যুক্তি ঢালিছে তাৰ অন্ত নাই।

এৰিষ্টটলৰ ঘটনা, কাল আৰু স্থান এই তিনি প্ৰকাৰ ঐক্যৰ সংযোগ বিধানৰ কথা উল্লেখ কৰি ট্ৰেজেডিক এক সুকীয়া নাটক কবাৰ যি দাবী কৰা দেখা যায় তাতো যে কিবা বিশেষ সাৰ আছে তাকো কব নোৱাৰি। এই তিনি সংযোগৰ বিধান কেনেকৈ যে এৰিষ্টটলৰ নামত আৰোপ হল তাৰ বিষয়ে আচৰিত হৈ জাৰ্ম্মাণ মনীষি 'চ্লেইজেন' 'ড্ৰেমেটিক্ আৰ্ট এণ্ড লিটাৰেচাৰ' নামৰ কিতাপখনিত বহুলাই আলোচনা কৰিছে। ট্ৰেজেডিত ঘটনাৰ ঐক্য সম্বন্ধে এৰিষ্টটলে যি কৈছিল তাৰ পৰা ইয়াকে বুজি—ঘটনা বাহুল্য থাকিলেও তাৰ উদ্দেশ্য এক হব লাগিব আৰু তাৰ আদি, মধ্য আৰু শেষ থাকিব লাগিব ; কালৰ ঐক্য সম্বন্ধে কোনো নিয়ম দিয়া নাই, কথাৰ লাচতে কৈ হে গৈছে সূৰ্য্যৰ এক আবৰ্ত্তনত ঘটা ঘটনা লৈয়ে ট্ৰেজেডি। একে ঠাইতে হোৱা ঘটনা ট্ৰেজেডিত হব লাগিব বুলি যি স্থানৰ ঐক্যৰ কথা পোৱা যায়, এৰিষ্টটলত ইয়াৰ উল্লেখেই নাই। ই পাচৰ কোনো সমালোচকৰ পানীৰ মিঠৈ। তেহেলৈ সেই হওক এই তিনি ঐক্যৰ সংযোগ ৰামায়ণতো যে আছে। ৰামৰ বনবাস, সীতা-হৰণ, বা লক্ষ্মণ-বৰ্জ্জনৰ দৰে ঘটনা একোটিত বীজ, বৃদ্ধি আৰু পৰিণাম অলপ সময়ৰ ভিতৰতে একে ঠাইতে সুন্দৰকৈ সমাধা হৈ গৈছে।

এতিয়া দেখা গল গ্ৰীক ট্ৰেজেডিৰ অভিনয় আৰু ৰামায়ণৰ অভিনয় বস্তুবিশেষে পৃথক যদিও বস হিচাপে আৰু ধৰণৰ কাৰণত ইমান অধিকল সাদৃশ্য যে গ্ৰীক নজনা ভাৰতবাসীয়ে তাক ৰামায়ণৰ অনুবাদ আৰু ভাৰতৰ ভাষা নজনা গ্ৰীকে গ্ৰীক-ট্ৰেজেডিৰ অনুবাদ বোলাটো অতি স্বাভাবিক।

ইমান সাদৃশ্যৰে এই দুই ধাৰা নাটক দেখি স্বভাৱতে এই কথাই উঠে—হয় এধাৰি ইধাৰিৰ অনুকৰণ, নহয় দুয়োধাৰি কোনোবা এধাৰিৰ অনুকৰণ, নহুবা পৰস্পৰ সাদৃশ্য থাকিলেও দুয়োধাৰি দুই ধৰণৰ স্বাধীন চৰ্চ্চাৰ বিকাশ।

প্রতীক্ষা

গল্প—

—শ্রীযুত কৃষ্ণনাথ ভূঞা

এক

প্রকাণ্ড অমৃত শ্রান্ত অন্ত এটাৰ দৰে বেলঘন ফোপাই ফোপাই আহি ষ্টেশ্ৰনত বলহি। লাহে লাহে চলি থাকোঁতেই বামুৰে ভাল বাবু থকা কোঠা এটাত জাপ মাৰি উঠি ললে আৰু যাত্ৰীবোৰৰ মুখলৈ বৰ আশাৰে চালে, কিজানিবা কোনোবাই দয়া কৰি তাৰ মুখৰ ওপৰত বোজা এটা দিয়েই। বেলঘন বলত বগাকৈ ওখ ডেকা লৰা এটা লৰালৰিকৈ নামি তেওঁৰ বিছনাখনে ছুটকেছটোৰে তাৰ মুখত দি পিছে পিছে যাবলৈ ইঙ্গিত কৰিলে। কিছু দূৰ গৈ নিহত গন্তব্য স্থান পালেগৈ আৰু ডেকাজনে সোধ-পোচ নকৰাকৈ বামুক পয়চা পাঁচ অনা উলিয়াই দিলে। সিও আশাতীত কণে পুৰস্কৃত হৈ কোনো বাক্যব্যয় নকৰি আনন্দ মনেৰে ঘূৰি আহিল।

ঘূৰি আহোঁতে বাটত সি বাবুজনৰ কথা ভাবি আহিছিল। কাৰণ তেওঁৰ ব্যৱহাৰত সি অলপ আচৰিত হৈছিল। সি বহুত বাবু দেখিছে—টিকট কিনিবৰ সময়ত 'কুমুণানীক' পয়চা কেইটা নগদ দিবলৈ কোনেও টান নেপায়, অথচ তাৰ নিচিনা নিঃস্ব এটাক চাবিটে পয়চা দিবৰ সময়ত আটায়ে দুই এক পয়চা কমাই দিবলৈ বিচাৰে।

নগণ্য কুলি এটা সি। লোহাৰ কাৰ্য্যনৰ ওপৰত অনায়াসে গধুৰ ভাৰ কঢ়িওৱা তাৰ কাম। যিমানে সি গধুৰ বোজা মুখত নিবলৈ পাৰ সিমানে তাৰ আনন্দ। আনৰ লগত তাৰ তফাৎ এইখিনিতে।

দিনে-ৰাতিয়ে কেইখন বেল আহে, কোন কোন সময়ত আহে, প্ৰত্যেকখন ষ্টেশ্ৰনত কিমান পৰ বয়, সিমানখিনি খবৰ তাৰ পুৰা আছে। সেইখিনি জ্ঞানৰ গৰ্ব্বও তাৰ যথেষ্ট আছে। সময় থাকোঁতেই লৰালৰি কৰি দৈর্য্য হেকৰা বাবুবোৰক সি ঠিক সময়টো কৈ দিব পৰাৰ বাহাদুৰিখিনি তাৰ আছে।

দুই

আজি দিনটোৰ ভিতৰত কণ দেৱটকা অৰ্জ্জিলে সি, আনন্দ যে কিমান তাৰ। পাৰ্ব্বতীয়ে তাক চোলা এটাৰ কথা কৈছিল। হক তেওঁ সি তাৰ মৰমৰ পাৰ্ব্বতীয়ে চোলা এটা নিব পাৰিব। শেষৰ বেলঘন অহালৈ অপেক্ষা নকৰি সি সন্তোষ মনেৰে ঘৰলৈ উলটিল আৰু আহোঁতে বাটতে দোকান সোমাই তাইলৈ ভাল চাই বঙা ৰেকেট চোলা এটা কিনি লৈ আহিল।

পাৰ্ব্বতীক বিয়া কৰাবৰ আজি বেছি দিন হোৱা নাই, চাবি মাহমানহে হৈছে। সি বহুত দিনৰ আগৰে পৰা তাইক ভাল পাইছিল আৰু যিদিনা তাৰ বাঁচতীয়া ৰূপ তিনিকুৰি খৰচ কৰি সি তাইক তাৰ ঘৰলৈ আনিলে সেই দিনছে যেন তাৰ জীৱনৰ সকলো অভাৰ পূৰ হৈ গল।

পাৰ্ব্বতীয়ে ভাত-পানী বান্ধি তালৈ অপেক্ষা কৰি আছিল। সি গৈ মেতিয়া তাইৰ আগত বহুচুৰা উজ্জ্বল চোকাটো উলিয়াই দিলেগৈ ঠিক চোলাটোৰ উজ্জ্বলতাৰ দৰেই উজ্জ্বল তাইৰ প্ৰকাশ দিব নোৱাৰা অন্তৰৰ প্ৰেমখিনি আৰু মুখৰ এটি হাঁহি উদ্ভাসিত হৈ উঠিল।

সি ভাত খাবলৈ বহিল। তাৰ ওচৰতে তাই বহি মৰম লগা মাতেৰে কলে, "মই কাইলৈ ঘৰলৈ যাম দেই, মাৰ বৰ অসু ছেচে।"

সি বৰ আনন্দ মনেৰে ভাত কেইটা খাইছিল, তাইৰ কথাষাৰ শুনি তাৰ মুখত বিষাদৰ চিন ফুটি উঠিল। সি মুখখন তুলি তাইৰ মুখৰ ফালে চালে—দেখিলে যেন তাইৰ চকুযুৱিয়ে অন্তৰৰ সকলো ভালপোৱা প্ৰকাশ কৰি দি তাক অনুৰোধ কৰিছে, সি তাইৰ সেই অনুৰোধটো ৰক্ষা কৰিব লাগে। সি তথাস্তু হৈ তাইৰ মুখলৈ চাই থাকিল। সি কবি হোৱা হলে আঞ্জা-পোৱা বেণ্ডনীয়া ৰবণৰ কাচৰ বাতিটোৰ চিকমিকনিৰ লগত তাইৰ শ্যামবৰণীয়া শুৱনী নিপোটন মুখখনিৰ তুলনা কৰি গোলাপেইতেন। সি কলে, "পাৰ্ব্বতী, তই গলেগে মোৰ বৰ বেয়া লাগিব যে।"

তাইৰ মুখত কাতৰতা ফুটি উঠিল; তাই কলে, "তোমাক এৰি যাবলৈ মোৰ জানো বেয়া লগা নাই, মই মাৰ অৱ চাবলৈ হে ওলাইছোঁ, মই সোনকালে ঘূৰি আহিমগৈ নহয়।" তাইৰ চকু দুটা ছলছলীয়া হৈ উঠিল।

সি থোৱা শেষ কৰি দীঘল উশাহ এটা লৈ কলে,—"থাক পাৰ্ব্বতী কাইলৈ তই যাবি—মই তোক বেলত তুলি ঘৰলৈ পঠাই দিম।"

তিনি

তিনি দিনা পাৰ্ব্বতীক লৈ সি ষ্টেশ্ৰন পালেগৈ আৰু তাইৰ ঘৰৰ ওচৰৰ ষ্টেশ্ৰনটোলৈ টিকট এটা কিনি তাইক বেলত তুলি দিলে। বেল চলিবলৈ ধৰিলে, সি ফুটষ্টেপৰ পৰা নামি কলে,—"পাৰ্ব্বতী, যাতেঁ দেই, সোনকালে ঘূৰি আহিবি।" তাই সকলো ব্যথাৰ চকুৰ পানীয়ে তাৰ বুকু তিয়াই বিদায় ললে। বেলঘনৰ গতি বেছি হবলৈ ধৰিলে, খিৰীকিয়েদি চাই চাই থোৱা তাইৰ চলছলীয়া চকু দুটিয়ে সৈতে ককণ মুখখনি লাহে লাহে অদৃশ্য হৈ আহিবলৈ ধৰিলে। সি চকুৰে মনিব পৰাকৈকে বেলখনৰ ফালে চাই থাকিল। তেনেকৈ ওচি থোৱা বেল সি জীৱনত ৰুহুত দেখিছে—কাহা নিও তো তা বৰেয়া লগা নাই। আজি যেন বেলখনে তাৰ বুকুৰ মাজৰ পৰা কিবা এটা লৈ গল তাৰ বুকুখন কলা কবি থৈ। প্ৰাণহীন বেলখনৰ কঠুৰা নিৰ্ম্মমতাখিনি অনুভৱ কবি সি ভাবিলে বেল তো বৰ বেয়া বস্তু। পাৰ্ব্বতীক লৈ বেলখন চকুৰ আগতে দিনৰ বিৰাট পোহৰৰ মাজত অদৃশ্য হৈ গল আৰু সেই স্তব্ধ অনীমৰ নীৰৱতা ভেদিলেন তাইৰ উচুপনিৰ নিচিনা কিবা ককণ শব্দ এটা আহি তাৰ প্ৰাণত আঘাত কৰিলেহি। তাৰ অজ্ঞাতসাৰে সৰি পৰা চকুপানী কেই টোপা মচি সি ষ্টেশ্ৰনৰ গণ্ডগোলৰ মাজত সোমাই পৰিল।

ঘৰত আহি দুৱাৰ-মুখ পাণ্ডতেই যেন সি পাৰ্ব্বতীৰ মাতটো, তাইৰ হাঁহিটো, শুনিবলৈ পালে। জোনাকৰ ৰূপালী বেৰা কিছুমান ইকৰাৰ বেৰৰ ফুটাই দি আহি মজিয়াত পৰিছিলহি, তাৰ ইচ্ছা হৈছিল যেন প্ৰত্যেক ফুটাবোৰ সি ভালকৈ চাই ফুৰিব—যেন তাৰ মাজে মাজে পাৰ্ব্বতীয়ে জুমি ফুৰিছে তাক। চাকিটো লগাগত উকড়া ভিতৰখন পোহৰ হৈ পৰিল। ছালে-বাঁশে, বয়ে-বস্তুৰে যতে-ততে তাইৰ চিন কিছুমান লাগি থাকি তাক তেনেই অকলশৰীয়া কবি পেলাইছিল। সেই দিনা তাৰ খাৰ-বৰৰ মন নগল, সোনকালে শুই থাকিল।

চাবি

তাৰ পিছত আকৌ আগৰ দৰেই সি নিতৌ ষ্টেশ্ৰনত কাম কবিবলৈ যায়। পাৰ্ব্বতীইতৰ ঘৰৰ ফালৰ পৰা অহা বেলঘনলৈ সি ব্যাকুল হৈ প্ৰতীক্ষা কবি থাকে, জানোচা হঠাৎ তাই আহি পৰে। সি জানে আঠ-ন দিনৰ কমে তাই মুগুৰে, তথাপি সি ভাবে জানোচা মাকৰ অৱ হোৱাই নাই, নহলে সোনকালে ভাল হলে কিজানি সোনকালেই ঘূৰি আহে।

এদিন গল—দুদিন গল—তিনদিন গল পাৰ্ব্বতী নাহিল। সাতদিন গল—দহ দিন গল—বাৰ দিন গল পাৰ্ব্বতী নাহিল। সি তাইৰ প্ৰতীক্ষাত অধিকতৰ ব্যাকুল হবলৈ ধৰিলে। যিমানে তাই অহাৰ আশা তাৰ বেছি হবলৈ ধৰিলে সিমানে সি নিৰাশ হবলৈ ধৰিলে।

এমাহ পাৰ হৈ গল, তাই মুগুলৈ এ। সেই দিনা ওৰে ৰাতি ভাবি ভাবি সি ঠিক কৰিলে নিশ্চয় পাৰ্ব্বতীৰ তালৈ মৰম নোহোৱা হল—হয়তো তাই তাক তেনেই পাহৰি গল। তাৰ মনত বৰ বেজাৰ লাগিল—তাইৰ ওপৰত থং উঠিল। তাই আহক বা নাহক সি সেই বিষয়ে একো নেভাবিবলৈ ঠিক কৰিলে। হঠাতে তাৰ মনত খেলালে কিজানিবা পাৰ্ব্বতীৰো কিবা হৈছেই—কিজানি তাই

ঠিক ঠাইত নামিব নোৱাৰি কৰবালৈ গুচি গলগৈ। এই ভয়ঙ্কৰ ভাবত সি অস্থিৰ হৈ উঠিল ; যিমানেই তাইৰ একো নাই হোৱা বুলি ভাবিবলৈ চেষ্টা কৰিলে সিমানে সি দেখিলে যেন পাৰ্ব্বতীৰ চাৰিও ফালে অসংখ্য বিঘিনিৰ কলা কুঁৱলী কিছুমানে ঢাকি ধৰি তাইক তাৰ পৰা আঁতৰ কৰি নেদেখা কৰি পেলাব খুজিছে। পাৰ্ব্বতীৰ ওপৰত হোৱা সকলো খং-অভিমান শেষ হৈ গল। সি ভগৱনাৰ উদ্দেশ্যে তাৰ মূৰটো দোঁৱালে। গোটেই ৰাতি ভয়ঙ্কৰ কথাবোৰ ভাবি তাৰ মূৰটো গৰম হৈ উঠিছিল। চিলমিলকৈ অহা টোপনিত সি কুৎসিৎ সপোনবোৰ দেখি চক খাই উঠিছিল।

পাঁচ

পিছ দিনা শহুৰেকৰ ঘৰলৈ বুলি টিকট এখন কাটি সি ৰেলত উঠিল। বেয়া ভাববোৰ আঁতৰাই সি পাৰ্ব্বতীক ভাল পোহৰত চাবলৈ চেষ্টা কৰিলে, আৰু তাইক গৈ কি কব, কি বুলি খং কৰিব মনে মনে আলচি যাবলৈ ধৰিলে। বেচেৰাই নাজানে কি নিৰ্ম্মম বাস্তৱতাৰ বুকুৰ মাজলৈ সি অন্ধৰ দৰে লৰি গৈছে।

পাৰ্ব্বতীহঁতৰ ঘৰৰ ওচৰ পাই সি তাৰ চকু দুটা অবিশ্বাসত ফুটাই পেলাব খুজিলে...। বলিয়াৰ দৰে লৰি গৈ সি ওচৰৰ মানুহ এঘৰ পালেগৈ.....সিহঁতে কলে যে পাৰ্ব্বতীৰ মাক-বাপেক দুয়ো মৰিছে আৰু ভালে দিনৰ আগতে তাই গিৰীয়েকৰ ঘৰলৈ গুচি গৈছে।

গিৰীয়েকৰ ঘৰলৈ ? কতা...পাৰ্ব্বতী তো যোৱা নাই ! তেন্তে তাই কলৈ গল.....? উন্মাদৰ দৰে লৰি আহি সি পাৰ্ব্বতীহঁতৰ ঘৰৰ অৱশিষ্ট ভেটিটোৰ ওপৰত কিছু পৰ ঘূৰিবলৈ ধৰিলে। ভগা ঘঁট, টিং, এঙাৰ আৰু বুৰুলি খেৰবোৰৰ মাজত সি তাইৰ একো চিন বিচাৰি নাপালে। কান্দি কান্দি সি ঘৰলৈ ঘূৰি আহিল। ঘৰ সোমাই দেখিলে তাই বিছনাত শুই আছে। সি লৰি গৈ তাইক সাবটি ধৰিলে।.....কতা—সি বলিয়া হল নে কি ? পাৰ্ব্বতী নহয়—সি মেৰিয়াই থৈ যোৱা কাপোৰৰ টোপোলাটোহে। তেন্তে পাৰ্ব্বতী নাহিল আৰু নাহে।

ছয়

ষ্টেশ্যনৰ আগৰ গছজোপাত আউজি সি পাৰ্ব্বতীহঁতৰ ঘৰৰ ফালৰ পৰা অহা ৰেলখনলৈ প্ৰতীক্ষা কৰি থাকে। কোনোবাই যেন তাক কয়—ৰামু, পাৰ্ব্বতী আৰু নাহে। সি কয়, নহয় আহিব, এইখন ৰেলত নাই অহা, ইয়াৰ পাছৰ খনত আহিব। আকৌ কোনোবাই কয়—ৰামু, তাই আৰু নাহে, তাই মৰিল নহলে কৰবালৈ গুচি গল, কোনোবা ঘূৰি আহিব নোৱাৰা দেশ পালেগৈ। সি কয়—নহয় তাই নাই মৰা—তাই আহিব—তাই মোক কেতিয়াও পাহৰিব নোৱাৰে। ঘূৰি আহিব নোৱাৰা দেশ.....কেলেই এই ৰেলখন যিমানৰ পৰা আহিছে আৰু যিমান দূৰ পাইছেগৈ তাতোকৈ ডাঙৰ দেশ আছে নে? যতে থক পাৰ্ব্বতী আহিব।

তাতোকৈ বজ্ৰ-কঠোৰ মাতেৰে কোনোবাই তাক কয়, ৰামু, তই বলিয়া হলি। তোৰ পাৰ্ব্বতী চাগৈ আজি আন এজনৰ সঙ্গত চিৰসুখী, তই মিছাই কান্দি মৰিছ।

সি বেজাৰত মূৰটো গছজোপাত খুন্দিয়াই ভাঙি পেলাব খোজে—তাৰ গোটেই প্ৰাণৰ শক্তিৰে সি পাৰ্ব্বতী বুলি চিঞৰি তাই যতে আছে ততে স্তব্ধ কৰি দিব খোজে। তাৰ পিছত শান্ত হৈ কয়—নহয়—পাৰ্ব্বতী মোৰ অবিশ্বাসিনী নহয়—বৰ ভাল বৰ মৰমৰ পাৰ্ব্বতী মোৰ।

সাত

আজি ৰামু আৰু আগৰ ৰামু নহয়। কত যাত্ৰী আহিছে গৈছে, কত ৰেল আহিছে গৈছে, সি কাৰো মাল নকঢ়িয়ায়, কোনো ৰেলৰ খবৰ সি নকৰে। পাৰ্ব্বতীহঁতৰ ঘৰৰ ফালৰ পৰা অহা ৰেলখনত কোনোবা অচিনা অজানা দেশ এখনৰ পৰা তাৰ অন্তৰ্দেশলৈ অহা চিৰজনমৰ চিনাকী আকাঙ্ক্ষিত যাত্ৰী এটাৰ স্নেহ ভালপোৱা আটাইবোৰৰ গধুৰ বোজাৰে তাৰ প্ৰাণটো গধুৰ কৰি শেষ বাৰৰ কাৰণে ঘৰলৈ যাবলৈ সি সপোন সাজি থাকে।

তাৰ তামবৰণীয়া বাহু দুটাত আগৰ শক্তি নাই। এতিয়া সি মগনীয়া, গছজোপাৰ তলত ক্ষীণ মানুহটো, ফটা থৈলাটো আৰু পোটোকা পৰা টিনৰ বাটিটোত ভেকুৰা

চাউল কেইটামান আৰু আধা পোৰা মলা চকটোৰ ওচৰত দমাই থোৱা শুকান পাতবোৰেৰে সৈতে সি বহল দুনিয়াত তাৰ জীৱনৰ 'একজিবিশ্যন' বা প্ৰদৰ্শনীখন মুকলি কৰি থৈ দিছে।

আঠ

ষ্টেশ্যনৰ ওচৰত ৰেলখন লাহে লাহে আহি ৰয়হি। সি খিৰিকিয়েদি মুখ উলিয়াই চায়, মাইকী মানুহ অহা দেখিলে বৰ আগ্ৰহৰে চায়—কিজানিবা পাৰ্ব্বতী আহিছে। ৰেলখন গুচি যায়। সি হুমুনীয়া কাঢ়ে।

সেই দিনা তাৰ গাটো ভাল নহয়, অলপ জ্বৰ জ্বৰ লাগিছিল। তাৰ বৰ শুবৰ মন হৈছিল। ৰেলখন আহিবৰ সময় হৈছে দেখি সি কষ্টেৰে নোশোৱাকৈ বহি থাকিল। গাড়ীখন ৰলহি, তাৰ চকু দুটা জ্বলি উঠিল। সি দেখিলে তাৰ চিৰ-অভিপ্সিতা চিৰ-আকাঙ্ক্ষিতা পাৰ্ব্বতী লাহে লাহে ৰেলৰ পৰা নামি আহিছে। মুখখন সি ভালকৈ দেখা নাছিল, পাছ ফালটো দেখিয়েই সি চিনিব পাৰিলে তাইক, সি লৰি গৈ তাইক সাবটি ধৰি কলে, "পাৰ্ব্বতী, তই কলৈ গৈছিলি।"

যি গৰাকী মহিলাক সি পাৰ্ব্বতী বুলি সাবটি ধৰিছিলগৈ তেওঁ ভয়ত চিঞৰি দিলে। সি মানুহজনীৰ মুখৰ ফালে চালে—পাৰ্ব্বতী নহয়। সি অজ্ঞান হৈ পৰি যাব খুজিলে, লগে লগে চৰ থাপৰ গতা, ভুকুৱে তাৰ দৃষ্টিৰ আগত কলা কাপোৰ এখন তৰি দিলে। সি কঁপি কঁপি গৈ গছজোপাৰ তলৰ ফটা থৈলাটোত মূৰটো গুজি চিৰকাললৈ শুই পৰিল।

অনুৰোধ

কবিতা— —শ্ৰীযুত সদানন্দ দাস

নকওঁ তোমাৰ বুলি ভাবিছোঁ মনত
ভাষা কিয় পৰা নাই ওৰ ;
আছা আৰু, থাকা নিলগত—জাগে কিয়
ভাব তব হৃদয়ত মোৰ ?
যদিহেৰা তুমি মোৰ নোহোৱা আপোন
জাগে কিয় তব অনুভূতি
হৃদয়ৰ তৰপে তৰপে ; শান্ত মন
সোঁহাগেৰে তোমাকেই মাতি ?
নাহা বাৰু নালাগে আহিব, ৰম মই
দীন বেশে নকৰিবা ঘিণ।
যি আছে নিজৰ লৈ পথৰ সমল
অসীমত হম গই লীন।

ৰোৱা হেৰা, নিজকেই ভাগ্যবান ভাবি
ভোল গই নিজৰ সুখত,
নালাগে নকৰো দিগ দুনাই তোমাক
নেদোঁ মাত সুঁৱদি সুৰত।
ডেৱা পুৰা হৃদয়ৰ নিজান চুকত
আঁকি লই ছবি তোমাৰেই,
চাওঁছোন—পূৰ্ণ হোৱা কেনে দৰে তুমি
এৰি মোক এফলীয়া কৈ।
যদি কেতিয়াবা পথ ভুলি ক্লান্ত হোৱা
দেখা হেৰা নিলগৰ পৰা
হয়ো যদি জীৱনৰ সন্ধিয়া পৰত
এক্ষন্তেক দিবা মাথো ধৰা।

বম্বে কংগ্রেছ

—শ্রীযুত হবেন্দ্রনাথ বকরা বি-এ

২

[আজিৰ অভাৰত বম্বে কংগ্রেছৰ শেহৰ আগৰ কথা যোৱা তিনি সংখ্যা "আৱাহন"তো কব নোৱাৰি দুঃখিত। এই বিষয়ত বাগ থকা কেইবাজনো ভদ্রলোকে সেই কাৰণে আমাক সাক্ষাতে 'গালি' পাবিছে; আৰু বহুতে যে আঁতিৰে আঁতিৰে বা পেটে পেটে পাবিছে, তাত সন্দেহ নাই। এই সকলোৰোৰ গালি মূৰ পাতি লোৱাৰ উপৰিও "আৱাহন"ৰ সম্পাদক ডাঙৰীয়াৰ ওচৰত আমাৰ এই অনিচ্ছাকৃত দোষৰ বাবে জয়জয়তে ক্ষমা মাগিলোঁ।—

লিখক]

কংগ্রেছৰ নতুন কার্য্য-পদ্ধতি সম্পর্কীয় ডাঃ আন্সাৰিৰ প্রস্তাৱ (কাউন্সিল প্রবেশ, প্রধান মন্ত্রীৰ সাম্প্রদায়িক সিদ্ধান্ত সম্পর্কে ৰাকি কমিটীৰ মীমাংসা প্রভৃতি সম্পর্কীয় প্রস্তাৱ) গ্রহণৰ পিছত বাকী ডেৰ দিনত কংগ্রেছে অহিংসা প্রতিৰোধ নীতিত আস্থা স্থাপন, নিখিল ভাৰত খাৰ্ৰীয়া শিল্প সঙ্ঘ, কংগ্রেছ প্রদর্শনীৰ ভাৰ নিখিল ভাৰত কাটনি সঙ্ঘক অর্পণ, কংগ্রেছৰ গঠনতন্ত্রৰ পৰিবর্ত্তন, নহাআৰ কংগ্রেছ পৰিত্যাগ সম্পর্কে তেখেতৰ প্রতি কৃতজ্ঞতা প্রকাশ, অহা কংগ্রেছৰ অধিবেশন যুক্ত-প্রদেশলৈ নিমন্ত্রণৰ প্রস্তাৱ আৰু কংগ্রেছ অভ্যর্থনা সমিতিক ধন্যবাদ জ্ঞাপনৰ প্রস্তাৱ গৃহীত হয়।—এই কথা উক্ত কংগ্রেছ সম্পর্কে খৰৰ কথা লোক মাত্রেই জানে। আগতে কৈছোঁ যে আমি এই প্রবন্ধত এইবিলাকৰ বিষয়ে প্রকাশ হৈ যোৱা কথাবিলাকৰ পুনৰাবৃত্তি নকৰি সেইবিলাকৰ সম্পর্কে ৰঙকৈ প্রকাশ নোপোৱা কথাবিলাক আৰু আমাৰ অভিজ্ঞতাৰ কথাহে অলপ কৈ যাম।

যোৱা আইন অমান্য আন্দোলনত যোগ দি অশেষ কষ্ট স্বীকাৰ কৰাৰ কাৰণে দেশবাসীক অভিনন্দিত কৰি অহিংস প্রতিৰোধ নীতিত কংগ্রেছৰ অবিচলিত আস্থা জ্ঞাপন কৰি শ্রীমতী নাইডুৰে দাড়ি ধৰা প্রস্তাৱত আগেয়ে আমি কোৱা বিষয় বাছনি সভাত হোৱাৰ দৰেই এদলৰ প্রবল আপত্তি হল। শ্রীমতী নাইডুৰ বক্তৃতা আগৰ বিষয় বাছনি সভাৰ বক্তৃতাতকৈ কোনো গুণে কম নিস্তেজ, প্রাঞ্জল আৰু উপভোগ্য নহৈছিল। কিন্তু এই বাৰ মুকলি অধিবেশনত তেখেতে তেখেতৰ তুৰলা আৰু ওজস্বিনী বক্তৃতাৰ জোৰতে জিকাটো টান হৈ উঠিল। পঞ্জাব-নেতা চৰ্দ্দাৰ শার্দ্দুল সিঙে এটা জোৰ বক্তৃতাৰে বজ্রগম্ভীৰ স্বৰে নাইডুৰ প্রস্তাৱ সমর্থন কৰিলে হয়, কিন্তু তথাপি চচিয়েষ্টি নেতা মিঃ সম্পূর্ণানন্দ আগ বাঢ়ি আহিল—নাইডুৰ প্রস্তাৱৰ এছোৱাত আপত্তি কৰি তেখেতৰ সংশোধনী দিবলৈ।

মিঃ সম্পূর্ণানন্দই প্রস্তাৱ কৰে যে শ্রীমতী নাইডুৰ প্রস্তাৱৰ "অহিংসা প্রতিৰোধ নীতিত সম্পূর্ণ আস্থা ৰখা" বোলাৰ পৰিবর্ত্তে "শান্তিপূর্ণ সাৰ্ব্বজনীন অসহযোগ আন্দোলন" কথাষাৰ গ্রহণ কৰা হওক। এই দুই প্রস্তাৱৰ প্রভেদ কি তাক বুজাৰৰ আৱশ্যক নাই। মিঃ সম্পূর্ণানন্দই এই সংশোধনী দিয়াৰ কাৰণ সম্পর্কে কয় যে তেখেতে এই প্রস্তাৱৰ দ্বাৰা দেশৰ জনসাধাৰণৰ প্রকৃত মনোভাৱৰ প্রতিধ্বনি কৰিছে মাথোন। তেখেতৰ মনেৰে জনসাধাৰণে অহিংস প্রতিৰোধ নীতিয়েই ভাৰতৰ স্বৰাজ লাভৰ এক-মাত্র পন্থা বুলিও বিশ্বাস নকৰে আৰু অহিংসা কথাষাৰতো তেওঁলোকৰ সম্পূর্ণ আস্থা নাই। ১৯২১ সনত কংগ্রেছে ঘোষণা কৰিছিল যে স্কুল-কলেজ আৰু আইন-আদালত বর্জ্জনত কংগ্রেছৰ সম্পূর্ণ আস্থা আছে। কিন্তু তাৰ দুবছৰমানৰ পিছতে সেই আস্থা কলৈ গল? দুবছৰমানৰ পিছতে কংগ্রেছে সেই প্রস্তাৱ পৰিত্যাগ কৰিলে। সেই দেখি তেখেতে কয় যে কংগ্রেছে আন্তৰিক ভাৱে যি কথাত বিশ্বাস কৰে, তাকেহে যেন কয়, আৰু মুখত এটা আৰু পেটত এটা কথা নাৰাখে। আচল কথা তেওঁলোকে ইমানলৈকে কব পাৰে যে তেওঁলোকে শান্তিপূর্ণ আন্দোলন আৰু শান্তিপূর্ণ কার্য্য-পদ্ধতিত বিশ্বাস কৰে। তাতকৈ বেছি তেওঁলোকে একো কব নোৱাৰে।

কর্ণাটকৰ বিখ্যাত নেতা মিঃ দেশপাণ্ডেই এটি চমু যুক্তিপূর্ণ বক্তৃতাৰে মিঃ সম্পূর্ণানন্দৰ প্রস্তাৱ সমর্থন কৰে।

ইয়াৰ পিছত যুক্ত-প্রদেশৰ বিশিষ্ট নেতা মিঃ পুৰুষোত্তম দাস তাণ্ডন আগ বাঢ়ি আহিল। তেখেতে কলে যে মিঃ সম্পূর্ণানন্দৰ কথা তেখেতে ভালেখিনি সমর্থন কৰে আৰু বিষয় বাছনি সভাত তেনে কথাকে তেখেতে ব্যক্তও



মহাত্মা গান্ধী

কৰিছিল। তথাপি শ্রীমতী নাইডুৰে তেখেতৰ প্রস্তাৱৰ ভাষাৰ অলপ সালসলনি কৰি প্রস্তাৱটো কিছু দূৰ সংশোধন কৰি লবলৈ সম্মত হলে, তেখেতে মিঃ সম্পূর্ণানন্দৰ বেছি গুৰুতৰ ধৰণৰ সংশোধন নিৰিচাৰে।

শ্রীমতী নাইডুরে "অহিংস অসহযোগ নীতিয়েই স্বরাজ লাভর একমাত্র উপায়" বোলাব ঠাইত "অহিংস নীতি হিংসাত্মক নীতিতকৈ বেছি উৎকৃষ্ট" বুলি গ্রহণ করক। সভাত কেউফালৰ পৰা হাত-চাপৰি পৰিল। এই বাৰ কথা বিষম দেখি শ্রীমতী নাইডুরে মিঃ তাওনব পৰামর্শ গ্রহণ কৰিলে আৰু তেখেতে কোৱাৰ দৰে সংশোধিত হৈয়ে নাইডুৰ প্রস্তাৱ গৃহীত হল। মিঃ সম্পূর্ণানন্দৰ সংশোধনী প্রস্তাৱ অগ্রাহ্য হল।

সভাপতিয়ে দাড়ি ধৰা পার্লামেণ্টেৰী ৰ'ৰ্ড পুনৰ নিৰ্ধাৰিত কৰাৰ প্রস্তাৱ আৰু নেহৰু পৰিয়ালৰ দুর্ভাগ্যৰ সমবেদনা জনোৱা প্রস্তাৱ সাধাৰণ ভাৱেই নির্দ্বিবাদে গৃহীত হয় আৰু দ্বিতীয় দিনৰ অধিবেশন শেষ হয়।

তৃতীয় দিনৰ অধিবেশন

২৮ অক্টোবৰ গধূলি ৬ বজাৰ পৰা কংগ্রেছৰ তৃতীয় আৰু শেষ দিনৰ অধিবেশন আৰম্ভ হয়। পুৱাই চহৰত চুবিয়ৈলৈ গৈ শ্রীযুতা অমৃত কউৰৰ ঘৰত খাই-বৈ ৫ বজাত কংগ্রেছ নগৰলৈ ঘূৰি কেম্পত অপ্রত্যাশিত ভাৱে আজি ৭ বছৰ প্রবাসী ভাইটোক পাই বৰ ভাল লাগিল। সি এসপ্তাহৰ আগতে মৰিচিয়াচৰ (অষ্ট্রেলিয়াৰ ওচৰৰ) পৰা ঘূৰি আহি বম্বে পাইছিলহি। সি নহওক, সেইবোৰ ঘকৰা কথালৈ নোযোমাওঁ। সেই দিনা মানুহৰ ভিৰ আগৰ চুদিনতকৈ বহুত বেছি হৈছিল আৰু ৰৱীন্দ্ৰ সাগৰৰ তীৰ, পাহাৰতলি গোটেইখন লোকাৰণ্য হৈছিল। কেনিউ বিৰ দি বাট পাব নোৱাৰা হৈছিল। এই দিনাৰ লোকসংখ্যা ১ লক্ষৰ বেছি হৈছিল। আগ দিনা ভলণ্টিয়াৰসকলে জনতাৰ ভীৰ আৰু শৃঙ্খলা ৰক্ষা কৰিব নোৱাৰাৰ অভিজ্ঞতা লৈ আজি আগতকৈ বহুত বেছি ভলণ্টিয়াৰ সেই কাৰ্য্যত দিয়া হৈছিল আৰু অন্যান্য নানান কৌশল অৱলম্বন কৰা হৈছিল।

প্রস্তাৱৰ সময়ত প্রথমতে ডাঃ পট্টভি সীতাৰমিয়াই নিখিল ভাৰত গাৰ্ৱলীয়া শিল্প সঙ্ঘ প্রতিষ্ঠা কৰা আৰু ভবিষ্যতে কংগ্রেছৰ লগত হোৱা প্রদর্শনীখন নিখিল ভাৰত কাটনি সঙ্ঘ আৰু নিখিল ভাৰত গাৰ্ৱলীয়া শিল্প সঙ্ঘৰ তত্ত্বাবধানত পতাৰ প্রস্তাৱটো এটা হিন্দী বক্তৃতাৰে দাড়ি ধৰে। ডাঃ পট্টভিৰ কথা আবেগময়ী, সবল আৰু স্পষ্ট।

"সীমান্ত গান্ধী" খাঁ আবদুল গফুৰ খাঁই এই প্রস্তাৱ সমর্থন কৰি উর্দুত বক্তৃতা দিয়ে। তেখেতৰ কথাখিনি বৰ হৃদয়গ্রাহী হৈছিল আৰু তেখেতে যুৱ আন্তৰিকতাৰে আৰু অনুপ্রাণিত হৈ কথাবিলাক কোৱা যেন লাগিছিল। বক্তৃতা প্রসঙ্গত তেখেতে কৈছিল,—" মই স্বৰাজ লাভৰ



শ্রীযুতা কমলা চট্টোপাধ্যায়

কাৰণে ব্যাকুল, স্বৰাজ লাভে নোহোৱালৈকে মই শান্তি নাপাওঁ।...কোটি কোটি মানুহ সঙ্ঘবদ্ধ আৰু কংগ্রেছৰ আদর্শত অনুপ্রাণিত হলেই আমাৰ জাতীয় শক্তি পৰিপুষ্ট হব, আৰু এই বিৰাট কাৰ্য্য সম্পাদন কৰাৰ আটাইতকৈ সহজ উপায় হৈছে—ইমান দিনে যি কুটিৰ শিল্পবিলাক আমি লাহে লাহে মৰিবলৈ এৰি দি আছিছো, সেই শিল্পবিলাকক পুনৰজীৱিত কৰা।...কুটিৰ শিল্পৰ পুনৰজীৱনে গাৰ্ৱলীয়া জনসাধাৰণৰ মাজলৈ আত্মমর্য্যাদাবোধ আনিব.; ই জনসাধাৰণক চেনেহশীল, নিভীক আৰু শক্তিশালী কৰি তুলিব।"

বঙ্গৰ শ্রীযুত বসন্তকুমাৰ মজুমদাৰে এই প্রস্তাৱৰ এটা সংশোধনী প্রস্তাৱ দি বক্তৃতা কৰা চাব পৰীয়া হৈছিল।

তেখেতৰ মতে এই প্রস্তাৱত নিখিল গাৰ্ৱলীয়া শিল্প সঙ্ঘৰ পৰিচালনা বিষয়ত কংগ্রেছৰ কোনো কর্ত্তৃত্ব নাথাকিব বুলি কোৱা কথাখিনি বাদ দি তাৰ পৰিবর্ত্তে এই সঙ্ঘ কংগ্রেছৰ কর্ত্তৃত্বাধীনত থকাৰ প্রস্তাৱ কৰে। বসন্ত বাবু এজন বৰ বহুগুণপূর্ণ লোক। মানুহজন যে স্বদেশপ্রেমিক আৰু ত্যাগী মানুহ, তাত সন্দেহ নাই। কিন্তু তেখেতৰ গভীৰ ৰাজনীতি চর্চ্চা আৰু ৰাজনৈতিক দূৰদর্শীতা আছে বুলি বোধ নহয়। তেখেতে কথাবোৰ বৰ জোৰেৰে কয়; কিন্তু কথাৰ হগে বৰ লাগ-বান্ধ নাই আৰু কথাত যুক্তিও কম। তেখেতৰ ইংৰাজীও অলপ ভুল নোহোৱাকৈ



শ্রীযুতা সৰোজিনী নাইডু

নাথাকে। কিন্তু তাৰেই তেখেতৰ "পৰোৱা" নাই। এনে হবৰদৰ ভাৱেই তেখেতে তেখেতৰ সংশোধনীৰ সপক্ষে এটা বক্তৃতা দিলে। তেখেতক সমর্থন কৰিবলৈ কোনো নেহোৱা দেখি তেখেতৰ বিদুষী ভাগ্যা শ্রীযুতা হেমপ্রভা মজুমদাৰে এখাৰ কথা কৈ সমর্থন কৰিলে।

পাটনাৰ চচিয়েলিষ্ট নেতা (আজিকালি চচিয়েলিষ্ট পার্টিৰ চেক্রেটৰী) মিঃ জয়প্রকাশ নাৰায়ণে মূল প্রস্তাৱ-টোৰ বিৰোধিতা কৰি কয় যে কংগ্রেছ এটা ব্যৱসায়ী অনুষ্ঠান নহয়। শিল্প ব্যৱসায় আৰিলৈ মন নকৰি কংগ্রেছে ৰাজনীতিতহে একাগ্রতাময়ীকৈ লাগিব লাগে।

শেঠ গোবিন্দ দাসে আৰু আচার্য্য কৃপালনীয়ে মূল প্রস্তাৱটো সমর্থন কৰি বক্তৃতা দিয়াৰ পিছত (আচার্য্য কৃপালনীৰ বক্তৃতা যুক্তিপূর্ণ আৰু চোকা হৈছিল) এই প্রস্তাৱ ভোটত গৃহীত হয়।

মহাত্মা গান্ধীয়ে তুমুল হর্ষধ্বনিৰ মাজত কংগ্রেছৰ গঠনতন্ত্ৰৰ নিয়মাৱলী সংশোধন বিষয়ক প্রস্তাৱটো উত্থাপন কৰিবলৈ মঞ্চত উঠেগৈ। এনেতে বম্বেৰ বিখ্যাত চচিয়েলিষ্ট নেতা মিঃ এম, আৰ, মছানিয়ে আপত্তি কৰে যে সেই দিনা পুৱা বিষয় বছনি সভাত উক্ত প্রস্তাৱ উঠোঁতে সমাজতন্ত্রী দলে দিব খোজা তাৰ সংশোধনী প্রস্তাৱ তেঁলোকক কংগ্রেছৰ মুকলি অধিবেশনত দিব পাবে বুলি কোৱা হৈছিল। এতিয়া সভাপতিয়ে সমাজতন্ত্রবাদী দলক সেই সুবিধা নিদিয়াকৈ উক্ত প্রস্তাৱ উপস্থিত কৰিবলৈ দিয়াটো অবৈধ হৈছে। সভাপতি ভাইটীয়াই উত্তৰ দিয়ে যে পুৱা তেখেতে তেনে নির্দ্দেশ দিছিল কংগ্রেছৰ মূল নীতি সম্পর্কীয় সংশোধনীৰ বিষয়েহে, মিঃ মছানিৰ বর্ত্তমান আপত্তি অমূলক আৰু অযুক্তিকৰ।

মহাত্মা গান্ধীয়ে প্রস্তাৱটো দাড়ি ধৰি প্রায় এঘণ্টা সময় হিন্দীত বক্তৃতা দিয়ে। আগৰ কংগ্রেছ গঠনতন্ত্ৰৰ সলনি কৰিবলৈ কোৱা প্রত্যেকটো নতুন প্রস্তাৱৰ কাৰণ আৰু তাৰ সপক্ষে যুক্তি দর্শাই তেখেতে শ্রোতামণ্ডলীক নিস্তব্ধ কৰি থয়। সেই সংশোধনী প্রস্তাৱবিলাকৰ এটাৰ লগত আনটোৰ ঘনিষ্ঠ সম্বন্ধ আৰু সেই কাৰণে আংশিক ভাৱে গ্রহণ নকৰি সেই আটাইবিলাক প্রস্তাৱ সমূহতে গ্রহণ কৰা উচিত বুলি তেখেতে প্রতিনিধিসকলৰ ওচৰত নিবেদন কৰে। প্রতিনিধিসকলৰ এদলৰ পৰা ইংৰাজীত কৰলৈ অনুৰোধ কৰাত মহাত্মাজীয়ে প্রায় কুৰি মিনিটমান আকৌ ইংৰাজীত বক্তৃতা দি তেখেতৰ প্রস্তাৱটো বুজাই দিয়ে। এই প্রসঙ্গতে তেখেতে হিন্দী এতিয়াও গোটেই ভাৰতৰ ৰাষ্ট্ৰ বা জাতীয় ভাষা হব নোৱাৰাৰ বিষয়ে আক্ষেপ কৰে আৰু দুই তিনিটা ভাষাত

একে কার্য্য পরিচালনা করার কি অসুবিধা আর তার দ্বারা কিমান সময়ো বেড়িকৈ অতিবাহিত হয়, সেই সম্বন্ধে মন্তব্য করে।

বম্বের মিঃ কে, এম, মুন্সিয়ে এটা চমু টেউর বক্তৃতাবে মহাত্মাজীর প্রস্তারটো সমর্থন করি মহাত্মার সেই সুন্দর যুক্তিপূর্ণ প্রস্তারর কোনো রকম সংশোধন বা বিপক্ষতা হোরাটোরেই যেন অসন্তর এনে মন্তব্য করে। কিন্তু সেই বক্তৃতা সত্বেও কর্ণাটকর নেতা মিঃ দেশপাণ্ডেই প্রস্তার করে যে মহাত্মার প্রস্তারটোর বিষয়ে দেশর বিভিন্ন জিলা কংগ্রেছ কমিটীবিলাকর মতামত সংগ্রহ করা হওক,



ডাঃ আন্সারি

আৰু সেই মতামত কংগ্রেছর অহা অধিবেশনত উপস্থিত করা হওক। কারণ মহাত্মার প্রস্তারত করা সংশোধন-বিলাক অতি গুরুত্বপূর্ণ; এইবিলাক দীবে সুন্থে বিবেচিত হব লাগে। বম্বের সমাজতান্ত্রিক নেতা মিঃ পুরুষোত্তম ত্রিকমদাসে মিঃ দেশপাণ্ডের প্রস্তার সমর্থন করি এটা তেজী বক্তৃতা দিয়ে।

চন্দ্রার বল্লভভাই পেটেলে মহাত্মার প্রস্তারর সংশোধনী প্রস্তারর বিরোধিতা করি বর জোরেরে এটি বক্তৃতা দিয়ে। তেখেতর ঘাই যুক্তি আছিল এই যে মহাত্মাজীয়েই কংগ্রেছর বর্ত্তমান গঠনতন্ত্রর রচোতা। গতিকে আজি ১৫ বছর সেই গঠনতন্ত্র মতে কাম করি যদি মহাত্মাই করবাত তার ভুল দেখি তাক সংশোধন করি লবলৈ বিচারে প্রতিনিধিসকলে তেখেতক সেই কার্য্য করিবলৈ অধিকার দিব লাগে। কংগ্রেছ সমাজতান্ত্রিক দলক তেখেতে কিছু তিৰস্কার করে।

ভোটত মিঃ দেশপাণ্ডের সংশোধনী প্রস্তার আগ্রহ হয়।

সমাজতান্ত্রিক দলে উপস্থিত করা সচরাচর বন্ধর পরিধান করা আৰু কায়িক পরিশ্রম করা বিষয়ক ধারার পরিবর্ত্তন সম্পর্কীয় সংশোধনী প্রস্তার দুটাও ভোটত অগ্রাহ্য হয়। এই প্রস্তার দুটার আলোচনার সময়তো সভাত বহুত নরম-গরম বক্তৃতা হৈছিল। বিশেষকৈ কায়িক পরিশ্রমর ধারার বিরোধিতা করি মিঃ পুরুষোত্তম ত্রিকমদাসে দিয়া তেজী বক্তৃতার সময়ত প্রতিনিধিসকলর বিপুল আনন্দধ্বনি হৈছিল। এই প্রস্তারটো ভোটত অলপতেহে অগ্রাহ্য হয়।

মিঃ সিন্ধর মহাত্মা গান্ধীর কংগ্রেছ পরিত্যাগ সম্পর্কীয় প্রস্তারর বিষয়ে বহলাই একো নকলেও হব। শেষত গৃহীত হোরা কংগ্রেছর অহা অধিবেশনর নিয়মণ আৰু অভ্যর্থনা সমিতির ধন্যবাদ জ্ঞাপনর প্রস্তার, সভাপতির কৃতজ্ঞতা প্রকাশ মন্তব্য, প্রতিনিধি পঞ্চর পরা ধন্যবাদ জ্ঞাপন প্রভৃতি গতানুগতিক ধরণর কথাবো সমালোচনা নিষ্প্রয়োজন। বাতি ঠিক দুই বজার সময়ত কংগ্রেছর অধিবেশনর ওর পরে।

বম্বে কংগ্রেছর বৈশিষ্ট্য

এতিয়া বম্বে কংগ্রেছর বৈশিষ্ট্যর বিষয়ে মোটামুটি ভারে দুটামান কথা কোরা যাওক। খরচ-বরচ বিষয়ত মুক্তহস্ততা আৰু আড়ম্বর বিষয়ত এই কংগ্রেছে আগর সকলো কংগ্রেছকে চেব পেলোরার কথা আগতে কোরা

হৈছে। কংগ্রেছর কার্য্যর কারণে কংগ্রেছ নগরত এটা সুকীয়া ছপাখানা প্রতিষ্ঠা করাও বোধ হয় এয়ে প্রথম। এই অধিবেশনত গঠিত গঠনমূলক কার্য্য-পদ্ধতির ভিতরত নিখিল ভারত গার্হস্থ্য শিল্প সঙ্ঘটোর কথা উল্লেখযোগ্য। কিন্তু মন করিব লগা কথা এই যে এই প্রতিষ্ঠানটো কংগ্রেছ রাজনীতির পরা স্বতন্ত্র হৈ থাকিব।

তার পিছত বম্বে অধিবেশনত মন করিব লগা কথা হৈছিল সমাজতন্ত্রীবাদী দলর প্রভার আৰু তিবোতাসকলর কংগ্রেছর অধিবেশনত আগতকৈ অধিকতর উৎসাহ আৰু মুক্তভারে যোগদান—তেওঁলোকর অবাধ গতি-বিধি আৰু রাজনীতির আলোচনা। কংগ্রেছ চচিয়েনিষ্ট দলটো যথেষ্টভারে সুগঠিত হৈছে আৰু এই দলর প্রভার-প্রতিপত্তি কংগ্রেছে বেছি দিন উপেক্ষা করিব নোরাবির বুলি বোধ হয়। এই দলর এটা নির্দ্দিষ্ট আৰু সুন্দর কার্য্য-পরিকল্পনা (Scheme) আছে। অবশ্যে বহুত কারণত তেওঁলোকে সেই পরিকল্পনা মতে কামত বেছি দূর অগ্রসর হব পরা নাই। কিন্তু গোড়া কংগ্রেছ দলর সবহ ভাগ নেতা বা কর্ম্মীয়ে চচিয়েনিষ্ট দলক যিমান ভ্রান্ত আদর্শবাদী আৰু অকল কথাচহকীর দল বুলি অভিহিত করিবলৈ বিচারে, এই দল কেতিয়াও তেনে হেয় দল নহয়। রাজনীতি চর্চ্চা আৰু রাজনৈতিক জ্ঞান বিষয়ত এই দলর সবহ ভাগ নেতাই তিথার নিচিনা, তওঁলোকর কোনো কোনো জনর জীবনর ভাগকৈয়ে এডোখর কাল দেশর হকে কারাবরণ আৰু নির্য্যাতনত অতিবাহিত হৈছে। এই দলর হয়তো দ্বিতীয় শ্রেণীর (second rate) কর্ম্মী দুই-এজনর সৈতে কথাবার্ত্তা হবর আমার অলপ সৌভাগ্য ঘটিছিল, আৰু সেই প্রসঙ্গত তওঁলোকর অগাধ রাজনীতি-জ্ঞানর পরিচয় পাই আমি তবধ মানিছিলোঁ। সেই দলেই তিবোতা কর্ম্মী আৰু প্রতিনিধিসকলর কার্য্য। পুরুষে সকলো ঠিক-ঠাক করি দিয়া এখন সভাত দুআষার আলোচনা করি, দুটা আবৃত্তি দুক্ত দেওরাই নিজর কিয়া দেশর উন্নতিকর কার্য্য করা বুলি ভবা আৰু পুরুষর পিছত ওলমি থুবা বিধর তিবোতা এইসকল নাছিল। এতেতসকলর সবহ ভাগেই অতি জ্ঞানী আৰু সংসাহসী, মুকলিমুবীয়া আৰু দেশর কারণে খুব চিন্তা করা আৰু নির্য্যাতন ভোগ করা তিবোতা আছিল। মহিলা দর্শক আৰু মহিলা প্রতিনিধিসকলর কারণে থকা-গোরার সুকীয়া ব্যৱস্থা করা হৈছিল যদিও, যিসকলে ইচ্ছা করে আৰু যিসকলর সম্বন্ধীয় পুরুষ প্রতিনিধি বা দর্শক আছে তেখেত-সকলে পুরুষ প্রতিনিধি বা দর্শকর কেম্পত থকা আৰু খোৱা-লোৱার কোনো বাধা নাছিল আৰু সবহ ভাগ মহিলা প্রতিনিধিয়েই তাকেহে করিছিল। নাইচু, কমলা দেবী, চন্দিয়া চোম্‌জী, গীগাবতী মুন্সী, পেৰিন কেপ্তেইন প্রভৃতি নেতৃস্থানীয়া মহিলাসকলর কথাই নাই—কংগ্রেছ বহা কেই দিনত কংগ্রেছত উত্থাপিত হোরা বা হব লগা প্রস্তারবিলাকর ওণাগুণ আৰু সেইবিলাকর বিষয়ে তেওঁলোকে কেনে নীতি গ্রহণ করা উচিত—এই বিষয়ে বহুত মহিলা প্রতিনিধিয়ে বীতিমতে আলোচনা করা আমি দেখিছিলোঁ। এই মহিলা প্রতিনিধিসকলর কোনো কোনো গৰাকীর স্বদেশপ্রেম, রাজনৈতিক জ্ঞান, আচার-ব্যৱহার আৰু অন্যান্য সদ্ গুণারলীর ওবর বহুত সাধারণ জ্ঞান-বুদ্ধিসম্পন্ন পুরুষ প্রতিনিধিরে মুর ভক্তি আৰু শ্রদ্ধাত দৌ থাই আছে।

নেতাসকলর বিশ্লেষণ

এতিয়া নেতাসকলর চরিত্র বিশ্লেষণ স্বরূপে দু-আষার কোরা যাওক। অৱশ্যে এই বিষয়ে আগতে কৈ থওঁ যে এই লিখকে নেতাসকলর চরিত্র আৰু কার্য্যাবলীর বাহুল্য আৰু নিখুঁট সমালোচনা করিব পরার অভিজ্ঞতার পরা মাত্র এই বিষয়ে দু-আষার মন্তব্য করিব।

ভারতর জাতীয়তার কর্ণধার, যুগমানর মহাত্মা গান্ধীর কোনো রকম নতুন চিনাকি দিবলৈ যোরাটো নিষ্প্রয়োজন বুলি বোধ করোঁ। তার পিছত কংগ্রেছ সভাপতি বাবু রাজেন্দ্রপ্রসাদ। এখেত মহাত্মা গান্ধীর এজন গোড়া ভক্ত আৰু তেখেতর সৌ হাত স্বরূপ। বাবু রাজেন্দ্রপ্রসাদ এজন মহা কর্ম্মী আৰু স্বার্থত্যাগী লোক। মহাত্মা গান্ধীর রাজনীতির পরা এখেতক বেলেগকৈ দেখিবলৈ টান। হয় তো ভিতরি দুয়োবো ভিতরত সুকীয়া সুকীয়া ভাবে

আলোচনা হব পাবে ; কিন্তু মহাত্মা গান্ধীব সিদ্ধান্ত আব মহাত্মা গান্ধীব পবামর্শব বিবুদ্ধে অল্পসো ইফাল-সিফাল কবিব পবা সাহস এখেতব নাই। নিজব যুক্তি আব বিশ্বাস জোবেবে ব্যক্ত কবি মহাত্মা গান্ধীব সিদ্ধান্ত বা বিচাবব ওপবত প্রভাব কবিব পবা ক্ষমতাও এখেতব আছে নে নাই সন্দেহ। মানুহজন অতি সহৃদয়, সবল আব আড়ম্বহীন। প্রেচিডেণ্ট হিচাপে এখেতব অসীম ধৈর্য্য, সহিষ্ণুতা, সাহস আব কার্য্যদক্ষতা প্রকাশ পাইছিল।

চৰ্দাব বল্লভভাই পেটেল এজন মহাকৰ্ম্মী লোক। তেখেত মহাত্মা গান্ধীব এজন গোড়া ভক্ত, কিন্তু বোধ হয় মহাত্মা গান্ধীব ওচবত এখেতব নিম্নত্ব ভাবটো (Inferiority complex) বাবু ৰাজেন্দ্রপ্রসাদতকৈ কম। চৰ্দাব পেটেল মানুহজন বৰ স্পষ্টবাদী, নিৰ্ভীক, ক্ষমতাপ্রিয় আৰু বোধ হয় নিজব কার্য্য সম্পর্কে অলপ অহঙ্কাবী। বহলাই কবলৈ গলে বহুত কব লাগিব।

বন্না গোপালাচাবিয়াব মহাত্মা গান্ধীব এজন গোড়া ভক্ত। কিন্তু চৰ্দাব পেটেল আৰু বাবু ৰাজেন্দ্রপ্রসাদব লগত এখেতব কিছু প্রভেদ দেখা যায়। কৰ্ম্মক্ষেত্ৰত এখেত উক্ত দুজোনতকৈ কিছু কম। কিন্তু বুদ্ধিশক্তি আৰু দূবদর্শিতাত এখেতে তেওঁলোকতকৈ অলপ চবা—অতি বিচক্ষণ লোক। এখেত অলপ কুটনীতি-বিশাবদো। মহাত্মা গান্ধীব সিদ্ধান্তবিলাক বহুত সময়ত এখেতে প্রভাবান্বিত কবে।

মিঃ যমুনালাল ৰাজাজ মহাত্মাব এজন প্রিয় শিষ্য। কংগ্রেছব ৰাজনীতি—কংগ্রেছব কার্য্য-পদ্ধতি অবলম্বন বিষয়ত এখেতব প্রভাব কম। এখেত নেতাতকৈ এজন বিশিষ্ট কৰ্ম্মীহে আৰু আয়-ব্যয়, টকা-কড়িব হিচাপ-পত্ৰ বখা আৰু ধন-ভড়ালীব কাম কবা বিষয়ত এজন অতি আৱশ্যকীয় লোক।

পণ্ডিত মদনমোহন মালব্য আৰু মিঃ আনে নবম-পন্থী কংগ্রেছ নেতা। এওঁলোকে কংগ্রেছব উগ্রপন্থীদলব আৰু নেতাদলব কার্য্যাবলী আৰু কার্য্য-পদ্ধতিব কেতিয়াবা বিবোধিতা আৰু কেতিয়াবা সমালোচনা কবি আহিছে আৰু এই সমালোচনা আৰু বিবোধিতাই (opposition) কংগ্রেছক কৰ্ম্মক্ষেত্ৰত সাৱধান হবলৈ সুযোগ দি উপকাবো কবিছে। মোৰা আইন অমান্য আন্দোলনব সময়ত কংগ্রেছব অন্যতম ডিক্টেটাব হিচাপে মিঃ আনেই মহাত্মা গান্ধীয়ে কংগ্রেছব প্রতিষ্ঠানবিলাক আৰু কংগ্রেছব প্রাদেশিক কৰ্ম্মকর্ত্তাসকলব পদ উঠাই দিবলৈ দিয়া পবামর্শ সম্পর্কে মহাত্মাব পবামর্শ বিবোধিতা কবাব কথা বাইজব মনত আছে। পিছত মিঃ আনেৰ যুক্তি বেছি সুবিধাজনক আৰু কার্য্যকবী আছিল বুলি প্রতীয়মান হৈছিল। মিঃ আনেব সেই বিবোধিতা-মনোবৃত্তি (Opposition mentality) এতিয়াও আছে।

পণ্ডিত মালবাব শাসনতন্ত্ৰ সম্পর্কীয় আইনব জ্ঞান গভীব আৰু অতি বিস্তীর্ণ। দেশ-বিদেশব ৰাজনৈতিক বুৰঞ্জী আৰু ৰাজনীতিব ধাবা তেখেতে ভালেকৈ অধ্যয়ন কবিছে। ৰাজনীতি সম্পর্কীয় কিতাপ-কাগজ আৱশ্যকীয় নথিপত্রেবে তেখেতব সদায় সাজু। তেখেতব মুবটেও কম নহয়—স্মৃতি-শক্তি দেখি তবধ মানিব লাগে। বক্তা আৰু তার্কিক হিচাপেও তেখেতব সমকক্ষ কংগ্রেছত বিবল। তেখেতব ধৈর্য্য আৰু সহিষ্ণুতা অসীম আৰু এই খিনিতে তেখেতব সহকর্ম্মী মিঃ আনেৰ লগতো তেখেতব প্রভেদ। মহাবাই নেতা আনে গবম আৰু blunt। সবহীয়া দলব দ্বাবা পবাজিত হৈ কেতিয়াবা খণ্ডতে তেখেতে কংগ্রেছব পবাও ওলাই যাব খোজে। কিন্তু পণ্ডিত মালব্য অতি ধীব আৰু শান্ত। কুবি বাব ঘাটিলেও, এশ বাব তেওঁক উপলুঙা কবিলেও, গালি পাবিলেও তেওঁ কংগ্রেছ পবিত্যাগ কবাব কথা নাভাবে। অক্লান্ত ভাবে নিজব যুক্তিবে কংগ্রেছক যুবাই আনিবলৈ তেখেতে আন্দোলন কবি থাকিব।

মিঃ পুৰুষোত্তম ত্রিকমদাস এজন সমাজতন্ত্ৰবাদী নেতা আৰু ভাল বক্তা। অন্তৰঙ্গে কৰ্ম্মতকৈ তেওঁ এজন আদর্শবাদী। তেওঁ কেইবা বাবো দিয়া বক্তৃতাব ভিতবত কংগ্রেছব সদস্যসকলব পক্ষে সুতা কটা বা কায়িক পবিশ্রম কবিব লগা প্রস্তাবব বিবুদ্ধে দিয়া বক্তৃতাই

বিশেষ উল্লেখযোগ্য। তেখেতব মতে এইবোব ৰাজনীতিব কিম্বা ৰাজনৈতিক কার্যাব পবিচায়ক নহয়, এনে কার্য্যব পবা দেশবো একো লাভ নহয় আৰু কংগ্রেছ অনুষ্ঠানো সমূলি সবল নহয়, বৰং দুর্ব্বলহে হব। এই প্রসঙ্গত তেখেতে উক্ত বিধানব উপহাস কবি কৈছিল,—"মই সদায় বেঞ্জীব কাম কবোঁ, জোতা চাফ কবোঁ ; মই এইবোব কাম কংগ্রেছব কাবণে কবিছোঁ বুলিয়েই ভালো।" সভাত হাঁহিব বোল উঠিছিল।

শিখ নেতা চৰ্দাব শার্দ্দুল সিঙব গভীব ৰাজনীতি চর্চ্চা কিমান আছে বুজিব নোৱাবিলোঁ। কিন্তু মানুহজন ক্ষমতাশালী মানুহ আৰু তেখেতব আন্তবিকতা, স্বার্থত্যাগ আৰু দেশপ্রেম অনুকবণীয়। তেওঁ কংগ্রেছ ৰাৰ্কিং কমিটীব পক্ষব পবা কেইবা বাবো বক্তৃতা কবিছিল। শক্ত-আবত বীবত্বপূ শার্দ্দুল সিঙে বক্তৃতা দিলেই তেখেতব বজ্রগম্ভীব স্ববব তেজী (forceful) বক্তৃতাই সভাস্থল জিনি পেলায়।

যুক্ত-প্রদেশব বিখ্যাত নেতা মিঃ পুৰুষোত্তম দাস ণ্ডণ্ডনব বক্তৃতাব কথা আগতে কিছু কোৱা হৈছে। গতিকে তেখেতব বিষয়ে আৰু বহলাই কবব ইচ্ছা নাই। শ্রীযুতী সবোজিনী নাইডু সুন্দব বক্তা। তেওঁব বক্তৃতা সদায় কবিত্বপূর্ণ, শুতলা আৰু ভাবপ্রবণ। ৰাজনীতি জ্ঞানত শ্রীযুতা কমলা দেবী চট্টোপাধ্যায়ব বেছি গভীব জ্ঞান আছে বুলি বোধ হয়। শ্রীযুতা চট্টোপাধ্যায় এগবাকী সমাজতন্ত্ৰবাদী।

মিঃ নবিমেন আৰু ডঃ আন্সাবি কর্ম্মশক্তি আৰু ৰাজনীতিব বিষয়ে আগতে (আগব প্রবন্ধত) কিছু চিনাকী দিয়া হৈছে। আৰু একেষাব বেছিকৈ কবলৈ হলে বোধ হয় কোৱা উচিত যে মিঃ নবিমেন বৰ জেদী আৰু ক্ষমতাপ্রিয়, ডাঃ আন্সাবি বৰ বুদ্ধিয়ক আৰু হুজুগপ্রিয়। হুজোজনবে দেশপ্রেম গভীব আৰু অকৃত্রিম।

খাঁ আব্দুল গফুব খাঁই ভাবতব ৰাজনৈতিক আৰু অর্থনৈতিক সমস্যা ভালকৈ আয়ত্ত কবিছে যেন বোধ হয়। তেখেতব চলন-বুবণ বৰ সবল আৰু আড়ম্বব-বিহীন। উৰ্দ্দু তেখেতে অনর্গল ওজস্বিনী বক্তৃতা দিব পাবে। ওখব কাবণে তেখেত সেই বিবাট জনসমুদ্রব মাজতো স্পষ্টকৈ জিলিকি আছিল। মন্তত উঠি বক্তৃতা দিওঁতে তেখেত মাইক্রফোনতকৈ ওখ আছিল।

আচার্য্য কৃপালনী এজন অতি সবল, সৰবহী আৰু বিচক্ষণ লোক। মানুহজন দেখি আমাব ৺লক্ষীধব শর্ম্মাবৈ মনত পবিছিল। ওখ, বগা, হাঁহি-মুখীয়া, ক্ষীণকায় এই নেতা গবাকীব বাগ্মিতা আৰু ৰাজনৈতিক জ্ঞান অসাধাবণ। ৰাৰ্কিং কমিটীব প্রস্তাববিলাকব সপক্ষে এখেতে কেইবা বাবো যুক্তিপূর্ণ বক্তৃতা কবিছিল। চচিয়েলিষ্ট দলব সুন্দব যুক্তিবোব সুন্দবতব যুক্তিবে খণ্ডন কবিবলৈ আচার্য্য কৃপালনী নবকা হলে চচিয়েলিষ্ট দলক ইমান সহজে পবাস্ত কবিবলৈ টান হলহৈতেন। আচার্য্য কৃপালনীয়ে যেতিয়া বুধজী বৰ পবা দৃষ্টান্ত দি চচিয়েলিষ্ট দলব কেইবাটাও যুক্তি ভ্রান্ত আৰু অকার্য্যকবী বুলি খণ্ডন কবিবলৈ ধবিলে তেতিয়া কেউ ফালব পবা হাত-চাপবি পবিছিল। আমাব বিশ্বাস, আচার্য্যব এই চচিয়েলিষ্ট বিবোধী বক্তৃতাযে তেখেতব কাবণে ৰাৰ্কিং কমিটীব এখন আসন লাভ কবিলে।

আচার্য্য নবেন্দ্র দেব, স্বামী সম্পূর্ণানন্দ, মিঃ আব, কে, সিন্ধ আৰু মিঃ অচ্যুত পট্টৱৰ্দ্ধন চচিয়েলিষ্ট দলব চাবিজন বিশিষ্ট নেতা। নিখিল ভাবতীয় ৰাজনীতিতো এখেতসকল ক্রমে উঠি আছিছে আৰু আহিব বুলি আমাব বিশ্বাস। এওঁলোকব প্রত্যেকজনেই সুন্দব বক্তা আৰু কেউজনেই দেশব কাবণে অশেষ নির্য্যাতন ভোগ কবা লোক।

বম্বেব পবা এগাহাবাবনৈ আহোঁতে পণ্ডিত গোবিন্দ মালব্যক লগ পাইছিলোঁ। এখেতে পণ্ডিত মদনমোহন মালব্যজীব চেহেৰেটবিবো কাম কবে। এখেতব সুনাম আৰু সৎকার্য্যব কথা আগেয়ে শুনিছোঁ ; কিন্তু কংগ্রেছব অধিবেশনত এখেতব বিষয়ে কোনো ব্যক্তিগত ধাবণা কবিবব সুযোগ নাপালোঁ। মানুহজন সুশ্রী আৰু শক্ত-আবত ; বৰ এহোবা কিতাপ-পত্ৰ লৈ ফুবিছিল।

চতুৰ্দ্দশ শতিকাৰ দুখন তামৰ ফলি

—শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা বি-এল, এম-এল-চি

অসমৰ উত্তৰ-পূব প্ৰান্তত একালত যে এক প্ৰবল আৰু সুসভ্য হিন্দু ৰাজ্য আছিল তাৰ নতুন নতুন প্ৰমাণ আজিকালি ওলাবলৈ ধৰিছে।

সদিয়াৰ ওচৰত ওলোৱা স্তম্ভ আৰু মন্দিৰ আদিৰ পুৰণি চিনবিলাকৰ উপৰি চিচি মৌজাত ঘগৰা নৈৰ দাঁতিত শিলৰ যি ডাঙৰ শিৱলিঙ্গ আৰু ছিন্নমস্তা শ্ৰীমূৰ্ত্তিৰে সৈতে শিলৰ মন্দিৰৰ ভগ্নাৱশেষ আছে * তাৰ পৰাও এই ধাৰণাৰ ভেতি শকত হৈছে।

লালুক মৌজাৰ গোসাঁনী পুখুৰী নামে পুখুৰীৰ পাৰতো এটা শিলৰ পুৰণি মন্দিৰৰ কাৰুকাৰ্য্যময় সিংহদ্বাৰ, স্তম্ভ আদিৰ ধ্বংসাৱশেষ দেখা গৈছে। মাটি খানিলে তাৰ আৰু অনেক সমল আৰু মূৰ্ত্তি আদি ওলোৱাৰ সম্ভাৱনা। তিনিচুকীয়া আৰু ডিব্ৰুগড়ত আধাখিনিকৈ ওলোৱা যি দুৰ্গামূৰ্ত্তি কামৰূপ অনুসন্ধান সমিতিয়ে ৰক্ষা কৰিছে সিও সেই একে তথ্যৰে আভাষ দিছে।

অলপ ভটিয়াই গৈ ডিব্ৰুং † আৰু বুৰৈ নৈৰ আগালি-তো ইটাৰ আৰু শিলৰ পুৰণি ঘৰৰ আৰু গড়ৰ চিন-চাব ওলাইছে। ‡ এইবিলাকৰ বাহিৰেও এই অঞ্চলত থকা অসংখ্য পুখুৰী আৰু পাতনাদবিলাকে আৰু পুৰণি আলি-গড় আদিৰ চিন-মোকামেও এই ঠাইৰ পুৰণি কীৰ্ত্তি ঘোষণা কৰিছে। এই পুখুৰীবিলাক যে আহোম ৰাজত্বৰ আগৰ দিনৰ পুৰণি তাক তাৰ সংখ্যাধিক্য, প্ৰাচীনত্ব আৰু আহোম বুৰঞ্জীত তাৰ উল্লেখৰ অভাৱৰ পৰা বুজা যায়। আহোম ৰাজত্বৰ ঘাই ঠাই শিৱসাগৰ জিলাত ইমান অধিক সংখ্যাৰ পুখুৰী দেখিবলৈ পোৱা নাযায়।

এতিয়া অসম বুৰঞ্জীৰ ঢকাচমকা পোহৰ পৰা এই হিন্দু ৰাজ্যখনৰ ঠাই আৰু যুগ স্থিৰ কৰিবলৈ স্বভাৱতে ধাউতি হয়। কিন্তু তাৰ সমল বিৰল বুলি এতিয়ালৈকে কোনেও সেই কাম হাতত লোৱা নাই। ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা ডাঙৰীয়াই তেখেতৰ অমূল্য গ্ৰন্থ কামৰূপৰ আদি ছোৱা বুৰঞ্জীৰ (Early History of Kamrup) একাদশ অধ্যায়ত সদিয়াৰ ওচৰত এখনি সৰু হিন্দু ৰাজ্যত ভীষ্মক বংশৰ ৰজাসকলে ৰাজত্ব কৰা বুলি আভাষ মাত্ৰ দি থৈছে।

প্ৰত্নতাত্ত্বিক পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ মহাশয়েও তেখেতৰ কামৰূপ শাসনাৱলীৰ ১২৭ পৃষ্ঠাত ইন্দ্ৰপালৰ প্ৰথম তামৰ ফলিৰ প্ৰসঙ্গত পৰশুৰাম কুণ্ডৰ ওচৰত পৰশুৰামে জিনি থৈ যোৱা এখন ক্ষত্ৰিয় ৰজাৰ ৰাজ্য আছিল আৰু তাৰে জীয়াৰী দুৰ্ল্লভাক যুৱৰাজ পুৰন্দৰ পালে বিয়া কৰাইছিল বুলি অনুমান কৰিছে।

কামৰূপ, কমতা আৰু হাৰুপ্পেশ্বৰত ৰাজত্ব কৰা ৰাজবংশ-সকলৰ কাহিনী যিদৰে প্ৰত্নতাত্ত্বিকসকলে উদ্ধাৰ কৰিছে, কুণ্ডিল, সদিয়া, ৰত্নপুৰ আদি ঠাইৰ ৰজাসকলৰ ইতিবৃত্ত সেই দৰে উলিয়াব পৰা নাই।

ঐতিহাসিক কালৰ ভিতৰত এই ঠাইৰ চুটিয়া ৰাজ-বংশৰ বাহিৰে আৰু আন কোনো ৰজাৰ ৰাজত্বৰ বিৱৰণ আমি এতিয়ালৈকে পোৱা নাই। কিন্তু চুটিয়া ৰজা-সকলৰ ইতিবৃত্তও নিচেই অসম্পূৰ্ণ আৰু কিংবদন্তীমূলক অৱস্থাতে আছে। এতিয়ালৈকে এই বংশৰ বিশদ আখ্যান দেওধাই বুৰঞ্জীত ওলোৱাখিনিকে বুলি ধৰিব পাৰি। এই

* এই ঠাইত অনেক মানুহে মালিনী গোসানীৰ থান বুলি পূজা-পাতল দিয়েগৈ।

† ডিব্ৰুং নৈয়েদি হাৰমতী বাগিচাৰ পৰা ১॥ দিন কি ২ দিনৰ বাট উজাই গৈ ইটাবস্তি নামে ডফলা গাৱৰ ওচৰত এই ঠাই পোৱা যায়।

‡ Early History of Kamrup, ২৭৩ পিঠি।

কিংবদন্তী মতে চুটিয়াৰ আদি ৰজা ভীৰ্ম্মোক আছিল। তেওঁৰ পিচত বহুত ৰজাই ৰাজত্ব কৰে। এওঁকে ৰায় বাহাদুৰ বৰুৱা ডাঙৰীয়াই ভীষ্মক ৰজা বুলি ধৰিছে। আমাৰ বোধেৰে ভীষ্মকৰ বংশই চুটিয়া বংশ স্থাপিত হোৱাৰ আগেয়েই ৰাজত্ব কৰিছিল। কিয়নো ৰুক্মিণীৰ পিতাক ভীষ্মক আৰু ককায়েক ৰুক্মবীৰ ক্ষত্ৰিয় আছিল। কিন্তু আমি পোৱা তামৰ ফলিৰ পৰা চুটিয়া



ৰজাসকল অসুৰ বংশী বুলি জনা যায়। সেই ক্ষত্ৰিয় বংশৰ ৰজাসকলে ভীষ্মকৰ পিচত বহুত দিন ৰাজত্ব কৰাৰ পিচতহে গেইট চাহাবে কোৱাৰ দৰে অভ্যন্তৰীণ অধঃপতনৰ গুণত সেই ৰাজত্বৰ বিলোপ হয়। এনে অনুমানে ৰায় বাহাদুৰ ডাঙৰীয়াৰ আৰু বিদ্যাবিনোদ মহাশয়ৰ উল্লিখিত মত দুইটাকে সমৰ্থন আৰু সমন্বয় কৰে। বীৰবৰৰ সংস্থাপিত ৰাজবংশ আদিৰে পৰা চুটিয়া হলেও সেই দিনত এই ঠাইৰ উন্নত শিল্পকলা (ভাস্কৰ্য্য আদি) সংস্কৃত চৰ্চ্চা আৰু ব্ৰাহ্মণ আৰু শিল্পী-সকলৰ বসতিলৈ চাই এই ঠাইত যে তাৰ আগৰে পৰা আৰ্য্য সভ্যতাৰে সভ্য এটা উন্নত জাতিয়ে ৰাজত্ব কৰি যোৱাৰ পিচতহে অনাৰ্য্য চুটিয়া জাতিয়ে ইয়াৰ ৰাজদণ্ড গ্ৰহণ কৰে তাক সহজে অনুমান কৰিব পাৰি। ওপৰত নাম কৈ অহা তিনিউজন বুৰঞ্জীবিদ্ পণ্ডিতে কাৰ্য্যতঃ এই মত পোষণ কৰে।

এই অঞ্চলৰ পুৰণি বুৰঞ্জীৰ সমল এতিয়ালৈকে ভালকৈ গোট খোৱা নাই বুলিয়েই ইয়াৰ ইতিহাস এতিয়াও সঙ্কলিত হব পৰা নাই। কিন্তু তাৰো সমল লাহে লাহে ওলাব ধৰিছে আৰু নিয়াৰিকৈ প্ৰত্নতাত্ত্বিকসকলে অনুসন্ধান কাৰ্য্য চলালে অচিৰে যথেষ্ট তথ্য সংগৃহীত হব বুলি আশা কৰা যায়। প্ৰাচীন ধ্বংসাৱশেষৰ ওচৰৰ ঠাইবোৰত ভালকৈ খানি-কুৰি চালে এনে বহুত বস্তু ওলাব যিহৰ পৰা এই অঞ্চলৰ সম্পূৰ্ণ বুৰঞ্জী লিখিত হব পাৰে।

তাৰ প্ৰমাণ শিতানত উল্লেখ কৰা দুখন তামৰ ফলি। এই দুখন তামৰ ফলি উত্তৰ লক্ষীমপুৰ মহকুমাৰ ঘিলামৰা

নামে ঠাইত ওলাইছে। ঘিলামৰাৰ অলপ পূব-দক্ষিণে ধেনুখনা নামে ঠাইৰ এখন বিলত ১৯১০ চনত প্ৰথমখন ফলি পোৱা হয়। এইখন ফলি ঘাৰমৰা সত্ৰৰ পুৰণি ভেতি থকা ঠাইৰ ওচৰত পোৱা হেতুকে সেই সত্ৰৰ ৰাজমেধি আৰু অধিকাৰে নিজ সত্ৰক ভূমি দান কৰা ফলি বুলি অনুমান কৰি ৰাজস্ব বিভাগৰ বিষয়াসকলৰ হাতত দিয়াত সিসকলে বিখ্যাত বিশেষজ্ঞসকলৰ দ্বাৰা তাৰ পাঠ উদ্ধাৰৰ চেষ্টাত অকৃতকাৰ্য্য হৈ শেহত শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ মহাশয়ক তাৰ কাৰণে নিয়োগ কৰে। তেখেতেও বিস্তৰ চেষ্টা কৰি তাৰ মাত্ৰ কেই শাৰীমানৰ পাঠ তলত দিয়া দৰে কৰি দিয়ে,—"কোনোবা



এজন 'স্বৰ্গনাৰায়ণ' (আহোম ৰজাই) এশ ঘৰতকৈ বেছি মানুহ থাই-বৈ থাকিবৰ জোখাৰে মাটি নাৰায়ণ নামেৰে কোনোবা এজন বামুণক দান কৰিছিল।"

এই পাঠৰ ওপৰতে হৰিভৰ দি বিদ্যাভূষণ মহাশয়ৰ সুযোগ্য পুত্ৰ শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ দেৱে যোৱা মাঘ সংখ্যা "আৱাহন" আৰু "Journal of Assam Research Society" কাকতত সেই ফলিৰ মাটি অসমীয়া শকুন্তলা পদ লিখক কবি ৰামনৰায়ণ দ্বিজক (আন নাম কবিৰাজ চক্ৰবৰ্ত্তী) স্বৰ্গদেৱ ৰুদ্ৰসিংহ মহাৰাজে দিছিল বুলি প্ৰমাণ কৰিবলৈ বিচাৰিছে। আৰু এই ফলিখন উত্তৰ লক্ষীমপুৰত পোৱা বাবে কবিও তাৰ মানুহ আছিল বুলি ধৰি লৈছে।

সেই ফলিখন ঘাৰমৰা সত্ৰতে থকা বাবে তাৰ পৰা তাক আনি তাৰ ওপৰত কৰপা মাৰি থকা মামৰ গুচাই অশেষ যত্নেৰে তাৰ অধিকখিনি আখৰ পঢ়িব পৰা হৈছে। * তাৰ পৰা ওপৰত উল্লেখ কৰা পাঠ আৰু অনুমান ভুল বলি জানিব পৰা যায়। বাকীখিনি আখৰ অস্পষ্ট আৰু কোনো কোনো ঠাইত ফুটা বিন্ধাৰ দ্বাৰা নষ্ট হৈ গৈছে। ফলিখন দীঘে ৯ ইঞ্চি আৰু পথালিয়ে ৭ ইঞ্চি। ভাস্কৰ বৰ্ম্মা আৰু হৰ্জ্জৰ বৰ্ম্মা আদিৰ বংশীয় ৰজাসকলৰ ফলিৰ দৰে ইয়াৰ দুই তিনিখন ফলি গাথি থোৱা অ'ঙঠি আৰু হাতীৰ মূৰ বা আন কোনো চিন বা চাব-মোহৰ ইয়াৰ লগত দেখা নাযায়। এই ফলিখনৰ প্ৰথম শাৰীত "নমোগণপতয়ে" কথা-

* এই কাৰ্য্যত উত্তৰ লক্ষীমপুৰ সংস্কৃত টোলৰ অধ্যাপক পণ্ডিত শ্ৰীযুত ৰত্নেশ্বৰ শৰ্ম্মা স্মৃতিব্যাকৰণতীৰ্থ দেৱৰ পৰা, বিস্তৰ আৰু টীহু শ্ৰীকৃষ্ণ বিদ্যালয়ৰ অধ্যাপক পণ্ডিত শ্ৰীযুত জীৱেশ্বৰ গোস্বামী তৰ্কদৰ্শনতীৰ্থ দেৱৰো কিঞ্চিৎ সহায় পোৱা বাবে তেখেতসকলৰ শলাগ লৈছো।

ফাকিৰ পৰা ইয়াতে ফলিৰ আৰম্ভ বুলি বুজা যায়; আৰু শেহত উদং ঠাইত অস্পষ্ট ভাৱে ঘঁহি-পিহি পিচত নজনা মানুহে লিখাৰ নিচিনা এশাৰী কথা থকাৰ পৰা তাৰ ওপৰতে আগৰ ফলিৰ কথা শেষ হৈছিল বুলি ধৰিব পাৰি। ফলিখন দুই পিঠিয়ে লিখা আছে। প্ৰথম পিঠিত ২১ শাৰী আৰু দ্বিতীয় পিঠিত ১৬ শাৰী আখৰ দেখা যায়। ইয়াৰ দুটা চুক তেনেই নষ্ট হৈ গৈছে আৰু মাজে মাজে ১৬-টামান বিন্ধা ফুটি ওলাইছে।

এই ফলিখনৰ দুই পিঠিৰে দুটা ফটগ্ৰাফ কৰাই ১৯৩৪ চনত বন্ধুবৰ শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী দেৱক দিওৱা হৈছিল। কিন্তু সি তেনেই অস্পষ্ট হোৱা (ফলিৰ আখৰবিলাক বৰকৈ মচ যোৱা যেন হোৱাত) বাবে শ্ৰীযুত কটকী দেৱে তাৰ সদ্ব্যৱহাৰ কৰিব বোধ কৰোঁ নোৱাৰিলে।

প্ৰথম ফলিৰ পাঠ

(১ম পিঠি)

[পঢ়িব নোৱাৰা আখৰৰ ঠাইত * চিন আৰু নষ্ট হোৱা যি আখৰ অনুমানত পূৰাই দিয়া হৈছে তাক বান্ধনীৰ মাজত দিয়া হৈছে।]

১। নমো গণপতয়ে ॥ বন্দে * * * * *

২। * হে * দিতিসুতনিবহং * * * বাসুদেবং ॥ ঈশানংসন্নতানামভিমত

৩। * * * * তুহিনগিৰিসুতাং সুৰ্ব্বন্দ্যামম্বা—

৪। * * * যস্যাপসাদৰসনেসৰস * * দৈত্যেয়-দৰ্পদলনৈ * * ধাৰণস্তীংতামিন্দু * *

৫। * * * প্ৰণমামিভক্ত্যাশক্ত্যাতুলান্তিপুৰবৈৰি-মনোহৰাঙ্গীম। * * * তনয়া।

৬। * ? অভুন্নন্দিনৃপোমহান। ধৰাৰণ্যমদোন্মত্তো বিপক্ষকৰিকেশৰী। নোবাস্ব—

৭। নৌবাডুবি ভূপত্ৰকোলহিত্যযথা * * পুণ্য কৰ্ম্মা। প্ৰখ্যাত (১) কীৰ্ত্তিন্নিয়তাবিদৰ্পং আসীৎ * *

৮। সদয়া পুৰীশঃ। নন্দিসৰা * য় উপায়নিতস্তৰসো-দোধাৰ্য্যদণ্ডপ্ৰতিপক্ষদক্ষঃ

৯। প্ৰসূয়তে যস্যজগতি জনৌঘৈ (২) দেৰ্বদ্বিজা-ৰ্চ্চনপৰোনীতিসুশীলঃ। তস্যাৎ * *

১০। * * দৈত্যানামাত্তমামামতিঃ। স্বধে বেশ্মনি দৈবকী সততং সৎকৰ্ম্মসম্পাদিনী তস্যাগৰ্ভসমু—

১১। দ্ভবোসুৰৰিপু (৩) বংশাংসভূতো ধৰাভা-ৰোদ্ধাৰকৰোজিতাৰিনিবহং শ্ৰীসত্য—

১২। নাৰায়ণঃ। সচাভবদ্ভূপতিকগ্ৰবীৰ্য্যঃ (৪) শ্ৰীসত্য-নাৰায়ণতুল্যএষঃ (৫) স * সংন—

১৩। ধ্বসুবেশকীৰ্ত্তি প্ৰদীপভূপালতমোদিনেশঃ (৬) কাশ্যপান্বয়সম্ভূত আসীৎসংক—

১৪। ৰ্ষণোদ্বিজঃ। ততোভবন্মহাবিদ্বান উমাপতি প্ৰতিষ্ঠিতঃ। তৎসুনুৰভবদ্ধীমানবসুধা—

১৫। পতিপূজিতঃ। অক্ষুণ্ণ (৭) পুণ্যবানবিপ্ৰঃ-খ্যাতো (৮) নাৰায়ণো দ্বিজঃ। শতষটপু—

১৬। টিসমিতডুবমমুমতোধিকংদদৌভূপতিতস্মৈ নাৰায়ণ দ্বিজাত্মজে ॥ ম—

১৭। ন্নন্তৰায়ামেষ্য (নদি) ধবলিচতীৰতঃ। বৃত্তিকাৰজনৈঃসাৰ্দ্ধং শাসনংসৰ্গ—

১৮। (সি) দ্ধয়ে। * * বেদেচন্দ্ৰেচ বিতিহোত্ৰে-সপকে * * * নামসৰ্ব্বজ্ঞঃ।

১৯। * নিশ্লোকান্নিৰম্বিতঃ। নৃপাদেশাৎদদৌতেন লুহুমিমাৰীতি (৯) নামতঃ

২০। * * * * (দ্বি) কুণ্ডাবলনৌস্থলীম ॥ পূৰ্ব্বে সৰটঃসেতুদক্ষি—

২১। * * * * তুৰধশঃ (দ) ণ্ডিকা বাৰস্তথোত্তৰে। কাস্য—

(২য় পিঠি)

২২। * * * * * । মহেশ্বৰোমাধবশ্চৈব এ * *

২৩। * * * * সং ॥ ত্ৰিলোচনমহাদেবকাত্যায়ণ ইতি শ্ৰু—

(১) মূলত প্ৰক্ষাত (২) মূলত জনৌঘৈ (৩) মূলত সুৰঞ্চপু (৪) মূলত ৰুগ্ৰবীৰ্জ্জঃ (৫) মূলত এসঃ (৬) মূলত দিনেসঃ (৭) মূলত অক্ষুণ্ণ খ্যাপো লিখা আছে, ভুলত 'ত'ৰ ঠাইত লিপি কাৰে 'প' দি গল (৮) মূলত (৯) মূলত মাৰীতি আছে।

২৪। তঃ। * * * * বৈবএহেহাবিতকা (১) দ্বিজাঃ। গৌতমোবাস্তদেবশ্চনাবা—

২৫। ইন ইতিশ্রুতঃ॥ গৌবাত্রশ্চমহাদেবো বাংচ্য-শশ্চ গদাধবঃ। কাঞ্চপো

২৬। বলভদ্রশ্চত্রিলোচন ইতি শ্রুতঃ। * * * শ্চ শাণ্ডিল্যোতাবাপতি ইতি

২৭। দ্বিজৌ * * * শ্চমৌদ্গলোভবদ্বাজোগদাধবঃ। দৈ * * সকথা—

২৮। শৈবতাবাগতিশ্চগ্রামনীঃ। * * জগ (ই) তি (২) খ্যাতঃ শ্চতিকিথাতৈলজ *—

২৯। কঃ॥ মজস্তশাসনমিদং পবিপালয় যোভূমি-পতেনুপতেক্ষেমাপিত—

৩০ স্মৈ প্রত্যেহযউত্তয়ো গঠিত সম্পুটপানিবাসে ভাবেতি বাজপুকমোই—

৩১। থং প্রযোর্দ্বিঃ॥ ৯৩৩১॥ গোটাপবাইতিখ্যাতা গ্রামাগ্রণী (৩) সহাপু—

৩২। না পবিবর্ত্তাবলৌভূমি দ্বিকুণ্ডাবলীওবলীম॥ বাজাদেশাৎ দদৌতে—

৩৩। ন বাঘ্রমাবীতি নামতঃ। শতঘট পুটিমিতৈ-ভূমিং প্রত্যক্ষনাবায়ণো—

৩৪। নৃপঃ॥ পূর্ব্বে খলণ্ডাসেতুবর্হীলণ্ডক দক্ষিণে। প্রতীচ্যামকুত্থমো—

৩৫। থেক বটবসঃ তথোত্তবে॥ * * * * *

৩৬। চতুষ্কোণ বিশত্যাখ্যাশতদ্বয়পুটমিতং বিপ্রা-ন্যুদ্ধর্ণবাজ্জঃ দদৌনা—

৩৭। * য * যশঃ (৪)॥

* * * *

প্রথমতে গণেশক নমস্কাব কবি বিষ্ণুক, শিবক আক পার্ব্বতীক বন্দনা কবাব পিচত কাবোবাব (পচিব পবা নাম্বায়) জীয়াবীব পবা নন্দী নামে এজন ডাঙব বজা হৈছিল বুলি কোৱা হৈছে। পৃথিবী ৰূপ অবণ্যত মনোহব হস্তীব নিচিনা শত্রুব মানত তেওঁ সিংহকুল্য (আছিল), পৃথিবীত বা স্বর্গত কতো এনে এজন ব্রহ্মপুত্রক নিচিনা পুণ্যশীল বজা হোৱা নাই। এওঁ যশস্বী, শত্রু-দর্পহাবী আক সবস্বাপুবীব (নদিয়াপুবীব) গবাকি আছিল। তেওঁব (মহিবী) দৈত্যকুলত জন্ম লৈ সেই কুলব সুমতি স্বৰূপা * নিজ ঘবত * সদায় সজ কাম কবি থকা দৈবকী। তেওঁব গর্ভত অত্যুব বংশ সম্ভূত পৃথিবীব ভাব উদ্ধাব কবোঁতা আক শত্রু সমূহক জয় কবোঁতা শ্রীদন্তানাবায়ণে জন্মগ্রহণ কবে। তেওঁ শ্রীদন্তানাবায়ণব (দেবতা) নিচিনা প্রবল প্রতাপী বজা হৈছিল। তেওঁ বস্তিব দবে সূর্য্যাস্তিমত আক সূর্য্যব দবে অন্ধকাব হবণ কবোঁতা জানমত বজা। কাশ্যপ গোত্রীয় সংকর্ষণ নামে ব্রাহ্মণ আছিল। তেওঁব পবা মহাবিদ্বান্ উমাপতিব আবির্ভাব হয়। তেওঁব পুত্র বুদ্ধিমান্ আক বজাব দ্বাবা প্রশংসিত, সুগুণাবান্ বিশ্বাস নাবায়ণ ব্রাহ্মণ আছিল। সেই নাবায়ণ বাপুব পুত্রক বজাই সৌ ছশ পুবা (পুটি) কোৱবো আৰু মাটি খাটেবোল মানুহে সৈতে মযন্তবাত (?) সবহা (ধব) নৈব পাবত স্বর্গলাভ কামনাবে ফলিবে দান কবিলে। বেদ চন্দ্র অগ্নি আক ৰূপক (অর্থাৎ ১৫১৪) অব্দলি নাম জানী * * * সম্পর্ক বহিত (বিষয়াই ?) বজাব আদেশত তাব দ্বাবা (ফলিবে) লুডমিমাবী এই নামেবে (পথাবত ?) দিলে। দুই কুণ্ডাবল নাঙব জাগা (বখা ঠন বা দিয়া ঠল) পূবে সবটব আলি দক্ষিণে * * ভাটি ফালে (পশ্চিমে) আক উত্তবে দণ্ডিকা দ্বাব (?) কাঞ্চপ, হাবিতক, গৌতম, গৌবাঞ্চ, বাৎস্যস, শাণ্ডিল্য, মৌদ্গল্য, ভবদ্বাজ আদি গোত্রব অনেকবিলাক প্রধান বাসিন্দাব নামোল্লেখ কবিছে। তাব পিচত কোৱা হৈছে জগতক * * * (অস্পষ্ট) নামেবে খ্যাত কটকি বা তৈল জটকে * মই দিয়া এই ফলি (অর্থাৎ ফলিত লিখি দিয়া দান) গ্রহণ কবিবা। ভূপতি আক নবগতি স্বৰূপে মই তিনি ঘণ্টা (ছয় দণ্ড) কাল যোব হাত হৈ যিজন আছিল তেওঁক (এই সম্পত্তি) অর্পণ কবিলোঁ (তাক) বাজপুকণে এই দবেই চলায় (যেন)। ১৩১৪ (শক)।

* এইখিনি কথাব স্পষ্টোদ্ধাবোত্তমামতি" এইবোৰ কথা লিপিকাবব দোষত ভুলতে লিখা যেন বুলি ধবিলে এনে অর্থ অনুমান কবিব পাবি হৈছে।

* মূলত থকা "সর্দ্দো" শব্দব অর্থ বুজা কঠিন। লিখক বা বিষয় বাবন বা প্রবর্ত্তন কবা (স্বত্বাধি) অর্থত স্ব বিশেষণ যোগ কবি থাকে। অন্যান্যপুবীব সাধনামূলক কবিবে এই শব্দটো "নিজ" অর্থত হলেও ইয়াত লিখকে ব্যবহাব কবা সম্ভব।

(১) মূলত "হাবিবকো" আছে। (২) "ভূপতিব" ঠাইব "অথ ইতি" হোৱা বাবে ছন্দব বোধ ঘটিছে। (৩) মূলত "গ্রামমণী" আছে। (৪) মূলত যমং আছে যেন দেখা যায়।

* * * \

বা মন্তব্যই লিখা দরে কিবা একাবার কথা লিখিবর চেষ্টা করার চিন আছে, কিন্তু তাক পড়া নাযায়।

ওপরত দিয়া পাঠর পরাই (আমার ওপরত দিয়া আন্নমানিক সাবাংশর কথা বাদ দিলেও) নিসন্দেহকৈ পোরা গৈছে যে নন্দী নামে এজন প্রতাপী বজাই সধ্যা-পুরীত (অর্থাৎ সধ্যা নামে নগরত—সম্ভবতঃ সদিয়াত) রাজত্ব করিছিল, আক তেওঁর মহিষী দৈবকীর গর্ভত শ্রীল ** নারায়ন নামে কোঁররে জন্মগ্রহণ করি প্রবল প্রতাপী বজা হৈ কাম্রূপ গোত্রর নারায়ণ ব্রাহ্মণর পুতেকক ধরণী নৈর পারত লুছমিবারী নামে (ঠাইত) ছশ পুরা মাটি ব্রাহ্মোত্তরান পাইকে দৈতে ধর্ম্মর অর্থে ফলি করি দিছিল। এই খিনিতে বেদেচন্দ্রেবিতিহোত্রেসকণকে বুলি এটা অঙ্কর উল্লেখ করা হৈছে। ই অন্তত্তে ১৩১৪ শক *। এই শকটোকে অক্ষরেও লিপিষ্ঠিত লিখা হৈছে, কিন্তু "গামাগতিবে" ১৩১৪ নিলিখি শ্লোকর দরেই দক্ষিণা গতিরে ৪১৩১ বুলি লিখা আছে। এনেকৈ ওলোটাই অঙ্ক লিখার দৃষ্টান্ত দশম শতাব্দীর এখন শিলর লোকনাথর মূর্ত্তিত •৭৮ আকারে ৮৭• শক লিখাত দেখা যায়। *

পিচত আকৌ প্রত্যক্ষনারায়ন নামে এজন বজার দিনত গোটাপরা নামে গার্ত সুখীরা চৌহদেরে বাঘমারী নামেরে আন ছশ পুরা মাটি তার সনদি দিয়া হৈছিল।

ইয়ার ভিতরত "সধয়াপুরী নামটো মন করিব লগীয়া, আক তার লগতে তামর ফলির মাটি দিওঁতা বজাজনর বিষয়েও ভাবির লগীয়া। দুর্ভাগ্য বশতঃ তেওঁর নামর দ্বিতীয় আখরটোর ঠাইত তামর ফলিত এটা বিন্দা ওলোরাত তাক পঢ়িব পরাত ব্যাঘাত জন্মি প্রথমে আমি ভবার দরেই ওপরত উল্লেখ করা শ্রীযুত নলিনীকুমার মিশ্র দেরেই "সর্গনারায়ণ" বুলি পঢ়ি ভ্রমত পরি এজন আহোম বজা বুলি থিবাং করিছিল। কিন্তু সেইটো ভুল। পিচব খন তামর ফলির পরা স্পষ্টকৈ দেখা যায় যে নন্দী বজার পুতেক শ্রীসত্যনারায়ন। চুটিয়া বঞ্জাসকলর নাম তালিকাতো এজন সত্যনারায়ণর নাম দেখা যায়। এই সম্পূর্ণ সংস্কৃত ভাষাত লিখা তামর ফলিখনত "স্বর্গনারায়ন" লিখা হোরা হলে "স"ত "র" ফলা নোহোরাকৈ নিলিখিলেহেঁতেন। "সধয়াপুরী" নিশ্চয় সদিয়াবে পুরি কিবা সংস্কৃতীয়া নাম। পিচবখন তামর ফলিতো সধ্যাপুরীর উল্লেখ আছে।

এতিয়া আক কেইটামান স্থানবাচক শব্দর পরা এই তামর ফলির মাটির ঠাই নির্ণয় করিবলৈ যত্ন করিব পারি। "ধরলী নৈ" আজিকালির ধল নৈয়েই। এই নৈ পর্ব্বতর পরা ওলাই ধল দেমাজীর ওচরেদি গৈ এহুতি কণা নৈত আক ইহুতি উত্তর লক্ষীমপুর মহকুমার মাজবোরার ওচরেদি ঘটাপরাব ছকাযেদি দুভাগ হৈ কণাত আক ঢকুরাখনীয়া জানত পরিছে। গোটাপরা * নামর গাঁও এতিয়া নাই যদিও এই ঘটাপরাই আগর "গোটাপরা" হোরা সম্ভর। সেই দরেই "বাঘমরী" নামে এতিয়া এন ঠাই জালভারীর ওচরত আছে। এই ফলিখন ওলোরা দেহুখনা নামে ঠাই ধল নৈ আক ঘটাপরাব পরা এঃ মাইলতকৈ দুর নহয়। ঘটাপরা নামে ঠাইত কেইখিনিতো মাটির তলত পুরণি, কোরা অর্ঘা, ঘণ্টা আক মূর্ত্তি আদি ব্রাহ্মণর পুজা-সেরার বস্তু পোরা গৈছে। তার উপরি তার তিনিও কাষে থিলামরা, মাজখোরা আক জালভারীত অনেক ব্রাহ্মণর এতিয়াও বসতি আছে।

* অক্ত্ত মাণাতি খরি ৪১৩১-ৰ ঠাইত ১৩১৪ হব। এই ফলিখনৰ নিচেই শেষত অস্পষ্ট শাকীটোৰ ৰবে এই খিনিতো পিচত ঘটোৱা অলপ পৰিবৰ্ত্তনৰ চেষ্টা দেখা যায়। এনেকে শ্লোকবে লিখা বছৰৰ আগত বা পিচত সাধাৰণতে "শাকে" শব্দ দেখা যায়। কিন্তু এইখন ফলিত সেই শ্লোকৰ আগতে ফলিখন পিটি প্ৰায় ১ ইঞ্চি অলপ সমান কৰি তাত "ভূমি"শব্দ লিখিবৰ প্ৰয়াস পোৱা দেখা যায়। সেই কেইটা আখৰ ফলিৰ আন আখৰৰ দৰে কটা নহয়। যহি বা কোবাই লিখিবৰ যত্ন কৰা বেছ চিন ধৰা যায়। "শাকে" এই দৰেই লোপ হল।

* N. K. Bhattasali-ৰ ঢাকা মিউজিয়মৰ Iconography (২৩ পৃঃ)

* ঠাইখনৰ নামটো এতিয়া মানুহৰ মুখত লৰি ঘটাপৰা হৈ যদিও জালভাৰীত "গোটাপৰীয়া" নামেৰেই এঘৰ ব্ৰাহ্মণ এতিয়াও আছে। এওঁলোক কিন্তু অলখাধন গোত্ৰৰ।

এই গোটেইখিনি ঠাই আহোম ৰাজত্বৰ কালত হাবু বুলি জনাজাত আছিল। এই হাবুত্বৰ এঘৰ ব্ৰাহ্মণৰ ঘৰত উগুজি আহোম ৰাজকোঁৱৰ চুডাংফাই "বামুনী কোঁৱৰ" নামে ডাঙৰ দীঘল হৈ শেহত ৰাজসিংহাসনত উঠিবলৈ যাওঁতেও হাবুত্বীয়া বামুনক এৰি নগৈছিল।

কোচ ৰজা মহাৰাজ নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰিবৰ সময়ত "কুমতীয়াৰ সমীপে জুখীয়াৰ কোঁৱেঁ" আলি বঢ়াই গৈ হাবুত্বত শিবিৰ পাতি থাকোঁতে হাবুত্বৰ ব্ৰাহ্মণসকলে "জীউৰ কাতবত" অবাহন কৰি বহুত গৰু বাহন কৰি বহা পোৱা দেখি লেকাই চেতীয়াই দ্বিতীয়খন ফলি যিমানবাৰ ওচৰত ন-ভাঙতী মাটিত কোৰ মাৰোঁতে এজন কচাৰী মানুহে দুবছৰ আগতে পাই যিমানবাৰ প্ৰধান বাসিন্দা শ্ৰীযুত লবাম বৰুৱাৰ হাতত দিয়ে। শ্ৰীযুত বৰুৱা দেৰে এই ফলিখন বহুবে বহুত যোৱা ফেৰ্ৰুৱাৰী মাহত বৰুৱা দেৱৰ ভাইক ধকুৱাখনাৰ শ্ৰীযুত পদ্মনাথ বৰুৱাৰ সৌজন্যত এই লিখকৰ হাতত পৰেহি। এইখন ফলি আকৃতিত সৰু; মাত্ৰ দীঘে প্ৰায় ৭ ইঞ্চি আক পুতলে ৫ ইঞ্চি। তিনটা চুকত আক প্ৰথম পিটিৰ সোঁ হাতে দাঁতিত অলপ ভাগি-চিগি গৈছে যদিও বাকীখিনি নিখুঁতী হৈ আছে। আখৰবিলাক



আহোমকো লগুণ দিঙ্গিয়ে গৰুৰ পিঠিত তুলি সকলো কথা সকলোবে শুনিছে। এই একালৰ ব্ৰাহ্মণ প্ৰধান হৈ থকা হাবুত্বতে এই ফলিৰ দানৰ মাটি আৰু তাৰ পাত্ৰ থকা অতি স্বাভাবিক আৰু যুক্তিসঙ্গত।

তাৰ পিচত চাৰ লগীয়া "পুটি" আৰু "কুণ্ডাবলী" নামে ঠাই জোখৰ উল্লেখ। পুটি সংস্কৃত পাত্ৰ বা জোখ বিশেষ। তাৰ পৰাই দানৰ পুৰাৰ পৰা মাটিৰ পুৰা হোৱাৰ লৰ ইও মাটিৰ জোখ হৈছিল বুলি অনুমান কৰা যায়। ইণ্ডাবণ শব্দই মাটিৰে কিবা দৈখিক জোখ বুজাব পাৰ।

অতি স্পষ্ট। প্ৰথম পিঠিত ১৭ শাৰী আৰু দ্বিতীয় পিঠিত মুঠেই ৩ শাৰী আখৰ আছে।

পাঠ

১। (গ) নেশং কাৰ্য্য (২) সিদ্ধাৰ্থং দেৱাস্থৰ নমস্কৃতং। পাৰ্ব্বতীয়বণ্য—

২। (ন) দ্বং বাঞ্ছজং প্ৰণমামাহং॥ অসীত্তভবো (২) বীৰো—

৩। জিতবীৰ বৰ্ব্বাৰ্চ্চিতঃ। নিৰ্ভয়ঃ (৩) স্বধয়া পুৰ্যাং (৪) নন্দিশ্বৰো—

৪। ইতিশ্রুতঃ॥ তস্যপুত্রোভবদ্রাজা সত্যনাৰায়ণোম—

৫। হান্। নির্জ্জেতাশেষভূপালো ভীত্যাভূপতি বন্দিতঃ॥

৬। তজ্জোপিভূভুজাং শ্রেষ্ঠো লক্ষ্মীনাৰায়ণো নৃপঃ। যেনৈ—

৭। কন জিতাঃ সর্ব্বে ৰাজানশ্চ বশীকৃতাঃ (৫) আসীৎ (৬) শাণ্ডিল্য

৮। বংশীয়ঃ সৎকর্ম্মাপাস্তকিল্বেষঃ। ধীমান্ কমলনাভাখ্যঃসত্যবা—

৯। দী জিতেন্দ্রিয়ঃ॥ তস্যাত্মজোহৰিৰ্নাম্না বাসুদেৱার্চ্চনে ৰতঃ।

১০। তৎসুনুৰবিদেবাখ্যঃ সোহপিলোকপুৰস্কৃতঃ॥ এতস্মৈশাসন প্রা—

১১। দাল্লক্ষ্মীনাৰায়ণোনৃপঃ। উৎসৃজ্য বিষুবে (৭) পুন্যেৰবিদেবদ্বিজন্ম—

১২। নে যখনাগ্রামসহিতং শতদ্বয় পুটীমিতং। স্বর্ণদী পূর্ব্বতঃ সীমৌ (৮)

১৩। যাম্যাংপোকামৰীশ্রুতা॥ অশ্বত্থঃ পশ্চিমেচৈব চম্পাবতী—

১৪। (*) যোওৰে॥ শাকে ৰামেভূজেবহ্নৌ দ্বিজৰাজযুতেতথা—

১৫। * † দোনকঃ পকানাম্নাসীমা (৯) নির্ণয়কাৰকঃ॥ দ্বিজউপনস

১৬। * ষ্ঠো বসিষ্ঠো ৰবিদেবকঃ। শাণ্ডিল্য গোত্রজৌ বিপ্রৌভূদেব *

১৭। * মালিনৌ॥ ভৰদ্বাজাং (১০) কামদেবো-মৌদ্গল্যাদ্বামুদেবক। তাৰা—

(১) মূলত "কাৰ্য" আছে। (২) মূলত আশীতত্বাসুভবো আছে। (৩) মূলত "য়"ৰ শেহৰ আকটো দুবাৰ টনাত এটা "†" থকা যেন দেখি। (৪) মূলত "পুযাং" আছে। (৫) মূলত বশীকৃতাঃ আছে। (৬) মূলত ইয়াতো আশীৎ আছে। (৭) মূলত বিশুবে আছে। (৮) মূলত শীমৌ আছে। (৯) মূলত শীমা লিখিছে। (১০) মূলত "জা" পৰি গৈ ছন্দ-দোষ ঘটাইছে।

দ্বিতীয় পিঠি

১৮। পতিগৌতমজো (১) ভবদেবো (২) হুতাসনৌ। পশুপ—

১৯। তিঃ কামদেবোহ (৩) পৰঃ কালকলীপিকঃ। শান্তি—

২০। ল্য গোত্রজাশ্চৈতে উপানসাদ্বাসুদেবকঃ॥

ব্যাখ্যা :—দেবাসুৰে নমস্কাৰ কৰা আৰু পাৰ্ব্বতীৰ হৃদয়ৰ আনন্দ স্বৰূপ বা পুত্ৰ গণেশক কাৰ্য্যসিদ্ধিৰ কাৰণে প্ৰণাম কৰোঁ। বিজীত বীৰবৰৰ দ্বাৰা পূজিত হৈ সোনকালে বীৰ (বুলি প্ৰখ্যাত) হোৱা নন্দীশ্বৰ নিৰ্ভয়ে সধয়াপুৰত (সদিয়া নগৰত) আছিল। তেওঁৰ পুতেক সত্যনাৰায়ণ বিজীত ৰজাসকলৰ দ্বাৰা ভয়ত বন্দিত হৈ ডাঙৰ ৰজা হৈছিল। তেওঁৰ লক্ষ্মীনাৰায়ণ ৰজায়ো ভূপতিসকলৰ ভিতৰত শ্ৰেষ্ঠ হৈ অকলৈ সকলো ৰজাকে জিনি বশ কৰিছিল। শাণ্ডিল্য গোত্ৰৰ কমলনাভ নামে সৎকৰ্ম্মা পাপবৰ্জ্জিত বুদ্ধিমন্ত সত্যবাদী জিতেন্দ্ৰিয় (লোক) আছিল। হৰি নামে বিষ্ণুপূজাপৰায়ণ তেওঁৰ পুতেক আছিল। ৰবিদেৱ নামে তেওঁৰ পুতেকেও জনমণ্ডলীৰ পৰা পুৰস্কাৰ পাইছিল। লক্ষ্মীনাৰায়ণ ৰজাই এওঁকে বিহুৰ পুণ্য দিনত (৪) দুশ পুৰা মাটি বঘনা গাৱেঁ সৈতে উৎসৰ্গি তামৰ ফলিখন দিলে। (তাৰ) পূবে স্বৰ্ণদী (অৰ্থাৎ সোৱণশিৰি নৈ), (৫) দক্ষিণে পোকামৰী (৬) (পকীমুৰী), পশ্চিমে আইঁত গছ, আৰু উত্তৰে চম্পাৱতী গাওঁ বা নগৰ ১৩২৩ শকত (দিয়া হল) * * পকা নামেৰে (এজন) সীমা দেখুৱাওঁতা অৰ্থাৎ মণ্ডল (আছিল)। উপনস (বোধ

(১) মূলত "ে" কাৰ যোৱা দেখা যায়। (২) ইয়াতো "দে"ৰ "ে" কাৰ পৰি গল। (৩) মূলত "ও" চিনেৰে লুপ্ত "অ" কাৰ দিয়া আছে।

(৪) বিহুৰ দিনা অসমৰ ৰজাই ব্ৰাহ্মণক মাটি দান কৰা প্ৰথা নৱম শতিকাৰ তৃতীয় বলবৰ্ম্মাৰ দিনৰে পৰা চলি অহা দেখা যায়। দ্বাদশ শতাব্দীৰ বৈদ্যদেৱৰ তামৰ ফলিৰ মাটিও বিহুৰ দিনাই দিয়া হৈছিল।

(৫) স্বৰ্ণদী যে সোৱণশিৰিয়েই তাক যোগিনীতন্ত্ৰাদিৰ পৰা শ্ৰদ্ধেয় শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই "আৱাহন"ত প্ৰমাণ কৰি দেখুৱাইছে।

"জিৰণি"

—শ্ৰীনলিনীবালা দেৱী

(১)

মৃত্যু নিলিম সাগৰ পাৰত
যাত্ৰা ৰথৰ জিলিকে ধ্বজা
আহিছে ঘনাই এৰিব লাগিব
চিৰ চেনেহৰ মাটিৰ সজা।
চেনেহী ধৰাৰ দিয়া পোৱাবোৰ
মিলাই লবলৈ হব নে পৰ
মৰণ-বাঁহীৰ মোহন সুৰত
ব্যাকুল বুকৰ ৰব নে থৰ ?
বহু দিন আজি শুকান কণ্ঠ
চিৰ তৃষাতুৰ অধৰ মোৰ।
হিম সুশীতল পৰশে তোমাৰ
হব নে প্ৰাণৰ তৃষ্ণা দূৰ ?
নিশাৰ জিৰণি সুখৰ নিদ্ৰা
সকলো দিনৰ বেদনা হৰে ;
মৰণ সিও যে সুখৰ শয়ন
জীৱন মৰণ সামৰি ধৰে।
জীৱন পাৰতে এটি এটি কৈ
দেহৰ প্ৰাণৰ সঁজুলিবোৰ।
এৰি এৰি থৈ সকলে ওলাম
সাৰথি সহায় মনটি মোৰ।
সিদিনা অকলে অঠাই সাগৰ
পাৰ হৈ মই অকলে যাম।
অজানা দেশৰ নেদেখা পাৰত
কত জানো গৈ জিৰণি পাম ?

(২)

মৰণ সিপাৰ দূৰ অতি দূৰ
নীল যবনিকা আবৰি আছে
মৃত্যু পথিকে ভেদ কৰি চাই
চকুৰ আগত নিয়তি নাচে।

শুনিছোঁ তোমাৰ নীতল কোলাত
সন্তপ্ত বুকুবে জিৰণি পায়
চিৰ আলহুৱা মনটিয়ে মোৰ
তোমাৰ কোলাত পাব নে ঠাই ?

শুনিছোঁ তোমাৰ নিটোল পাৰে গৈয়ো
নেপাই জিৰণি আতমাবোৰে
শত বাসনাই ব্যাকুল বেগেৰে
প্ৰাণৰ জিৰণি বিচাৰি ফুৰে।

দিয়া সমিধান ! তোমাৰ সিপাৰে
অক্ক কত দুৰ আঁতৰি গৈ
চিৰ কালৈ কোন সি পুৰত
পাম গৈ মই জিৰণি ঐ।

এই পৃথিবীত হাঁহি কান্দি ফুৰি
লাগিছে বেজাৰ আমনি মোৰ
এই বাৰ মই তোমাৰ সিপাৰে
বিচাৰি ওলাম জিৰণি পুৰ।

যদি হে নেপাওঁ উংটি আহিম
চিৰ পৰিচিত পৃথিবীলৈ
জোন তৰা হৈ আকাশ ফুলাম
প্ৰকৃতি সুৰাই ফুলিম ঐ।

পৃথিবী আই যে শত বাহু মেলি
মোক সাদৰেৰে সাৱটি লব
মোৰ যে বুকুৰ প্ৰতি টুপি তেজ
ধৰাৰ বুকুত মিহলি বহ।

(৩)

নেথাকো এঠাইত এটি ৰূপ লৈ
বহুৰূপী হৈ বিয়পি যাম
নিজৰা সুৰত নৈ সাগৰত
ছাৱনৰ সুৰ মিলাই গাম।

মোৰ প্ৰতি বেণু ডাৱৰৰ মতে
মহা সাগৰত মিহলি হব
মহা তৰঙ্গত নাচি নাচি গৈ
প্ৰকৃতি ৰূপত বিলীন হব।

নেজানো সাগৰ কৈলৈ গৈছে
কোন অসীমত হৈছে শেষ
মহো মোৰ ঠাই বিচাৰি ওলাম
যত আছে সেই নতুনা দেশ।

বৈজ্ঞানিক জগত

বেলগাৰীৰ ক্ৰমোন্নতি

মটৰ গাৰী, আকাশযান বেলগাৰী আৰু বেগী জাহাজাদিৰ আবিষ্কাৰৰ লগে লগে সকলো যান বাহনৰ ক্ৰমোন্নতি সাধনৰ বিশেষ আবশ্যক হৈ পৰিছে। এই প্ৰতিযোগিতাৰ হেঁচা বেলগাৰীৰ গাত বেছিকৈ লাগিছে বিশেষকৈ উৰাজাহাজ আৰু মটৰ গাৰী ওলোৱাত। সেই বাবে বেলগাৰীৰ কোম্পানীবোৰে বেলগাৰীৰ উন্নতি



ডাইজেল ইঞ্জিন—ঘণ্টাত ১১২ মাইল চলে



কমডোৰ ভেণ্ডাৰ বিল্ট ইঞ্জিন—ঘণ্টাত ৯০ মাইল চলে

সাধন কৰি এই প্ৰতিযোগিতাত বৈ থাকিবলৈ বিশেষ যত্নপৰ হৈছে। আমেৰিকাৰ এই বেল গাৰীৰ কোম্পানী বোৰে নতুন অতি শক্তি সম্পন্ন আৰু বেগী অথচ অতি কম খৰচত চলাব পৰা ইঞ্জিন সাজিছে। আমেৰিকাৰ কোম্পানীবোৰে বৰ্ত্তমানে দুবিধ উন্নত ইঞ্জিন চলায়। এবিধৰ নাম 'কমডৰ ভেণ্ডাৰ বিল্ট' আৰু আন বিধৰ নাম 'ডাইজেল'। প্ৰথম বিধ দেখাত অতি ডাঙৰ, প্ৰায় ৪০৭৫ অশ্ব শক্তি সম্পন্ন আৰু ঘণ্টাত ৯০ মাইলকৈ যাব পাৰে। দুই ইঞ্জিন চলাওঁতে খৰচ বৰ কম পৰে। নিউ য়ৰ্ক চেণ্ট্ৰেল কোম্পানীয়ে এই ইঞ্জিন বেছিকৈ চলায়। দ্বিতীয় বিধ অৰ্থাৎ 'ডাইজেল' ইঞ্জিন দেখাত সৰু কিন্তু অতি বেগী। বেলৰ ওপৰত বন্ধুকৰ গুলীৰ দৰে চলে আৰু ঘণ্টাত প্ৰায় ১১২ মাইল যায়।



আধুনিক 'কমডৰ' ইঞ্জিনৰ লগত ১০০ বছৰ আগৰ এটি ইঞ্জিন থিয় হৈ থকা দেখা গৈছে তাতেই ইঞ্জিনৰ ক্ৰমোন্নতি বুজিব পাৰি

বিবিধ

দক্ষিণ আফ্রিকাৰ যুদ্ধত মৃত্যু সংখ্যা আছিল ২০ জনৰ ভিতৰত ১ জন; মহাসমৰত ১০ জনৰ ভিতৰত ১ জন আৰু পেৰাগুৱা আৰু বলিভিয়াৰ ভিতৰত লগা 'চাকো যুদ্ধত (Chaco war) ৫ জনৰ ভিতৰত এজন।

* * * *

বহুতে ভাবে যে আচলতে সোৱাদ (taste) চাৰিটাহে—মিঠা, টেঙা, লুণীয়া আৰু তিতা। কোনো কোনো বস্তুতে এই চাৰিওটা সোৱাদ কম-বেছি পৰিমাণত পোৱা যায়—যেনে 'ডিনিগাৰ' (Vinegar)। অৱশ্যে টেঙাৰ ভাগটোৱেই বেছি।

* * * *

ইংলণ্ডৰ মানুহে প্ৰায় ১২০,০০০,০০০ পাউণ্ড ধপাত, ৬০,০০০,০০০ পাঃ বিলাসিতা ৪৩,০০০,০০০ ছায়া-চিত্ৰ আৰু ৭৫০,০০০,০০০ মিঠাইত (এই মিঠাই তৈয়াৰ কৰোতে ৫০,০০০ জন মানুহ খাটে আৰু ২৫০,০০০ মিঠাইৰ দোকানত বেচা হয়), খৰচ কৰে।

* * * *

এজন আমেৰিকাৰ লেখকৰ মতে প্ৰত্যেক ৪৫ মিনিটত একোজন মানুহৰ তাত হত্যা হয়। ১৯৩৩ চনত প্ৰত্যেক ১০০,০০০ জনৰ ভিতৰত ১০.৭ জনৰ হত্যা হৈছিল। আমেৰিকাৰ অকল ৰাজ দোষ (crime) নিবাৰণ বাবে ১৩,০০০,০০০,০০০ ডলাৰ (২,৬০০,০০০,০০০ পা,) মঞ্জুৰ কৰা হৈছে। প্ৰায় ১৪০,০০০ মানুহে ৰাজ দোষত কাৰাবাস ভোগ কৰিছে।

* * * *

জ্যোতিষী সকলে এবছৰৰ দৈৰ্ঘ্য গড়ে ৩৬৫,২৪২১৯৮৭৯ দিন বুলি গ্ৰহণ কৰিছে। যি যি কাৰণত বছৰৰ দৈৰ্ঘ্যৰ কম-বেছি হয় তাৰ ভিতৰত তিনিটাই প্ৰাধান (১) জোৱাৰ উঠি পৃথিবীৰ গতিত বাধা পৰা (২) পৰ্ব্বত-পাহাৰ জহি-খহি পৰা নাইবা তেনেই টপা (denudation) হৈ পৃথিবীৰ গতি বৃদ্ধি কৰা (৩) ক্ৰমে তাপ কমি আহি পৃথিবীৰ কোনো ভাগ কোচ খাই পৰা। এই কাৰণে পৃথিবীৰ গতি কম বা বেছি হৈ বছৰত দিনৰ সংখ্যা ও কম নাইবা বেছি হয়।

* * * *

সকলো জন্তুতকৈ হাতীৰ টোপনি কম। অতিপাত পৰিশ্ৰম কৰিলেও এই অতিকায় জন্তুটোৱে মাথো ৪।৫ ঘণ্টামানহে শোৱে।

* * * *

অলিম্পিয়া খেল-ধেমালি পোন প্ৰথমে গ্ৰীক সকলে তেওঁলোকৰ দেৱতা জিয়ছৰ (Zeus) সন্মানৰ বাবে অলিম্পিয়াত পাতিছিল। অলিম্পিয়া পিলোপনিচাছৰ এটা উপত্যকাৰ পুৰণি নাম।

* * * *

পেন্সিলভেনিয়াৰ ষ্টেটৰ আইন মতে ৰবিবাৰে কোনো মানুহে তেওঁৰ ঘৈণীয়েকক চুমা খাব নোৱাৰে। কোনো চিনেমা নাইবা আমোদ-প্ৰমোদত যোগ দিব নোৱাৰে, মাছ মাৰিব নোৱাৰে নাইবা ক্লাবত মদ কিনিব নোৱাৰে।



জীৱ জগতৰ উৎপত্তি

—শ্ৰীযুত কুমুদাভিৰাম দাস এম্-এচ-চি

জীৱ জগতৰ উৎপত্তি কেতিয়া কেনেকৈ হল এই প্ৰাচীন অথচ সুকঠিন প্ৰশ্নটোৰ সমাধানৰ বিষয়ে জগতৰ সকলো দেশৰ সকলো যুগৰ মনীষীসকলে চিন্তা কৰি আহিছে। সেই চিন্তা, সেই গবেষণাৰ মূলতে পণ্ডিত-সকলে সদায় আশা কৰি আহিছে যে কেতিয়াবা হয়তো সেই প্ৰশ্নটোৰ সমাধান হবগৈ। যোৱা শতাব্দীৰ শেহ ভাগ আৰু বিশেষকৈ বৰ্ত্তমান শতিকাৰ যোৱা ৩০ বছৰৰ পদাৰ্থ আৰু ৰসায়ণিক বিজ্ঞানৰ শৃঙ্খলাপূৰ্ণ গবেষণা আৰু নতুন নতুন সুগভীৰ তথ্যৰ আৱিষ্কাৰে জীৱ বিজ্ঞানৰ (biology) এই জটিল প্ৰশ্নটোৰ সমাধানৰ সম্ভৱ কমাওক ছাৰি বঢ়াইহে দিছে। বৰ্ত্তমান এই প্ৰবন্ধটোত বৈজ্ঞানিক-সকলৰ এই প্ৰশ্নটোৰ বিষয়ে মতামত আৰু তথ্য সম্বন্ধে অতি চমু ভাৱে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে। এইখিনিতে কৈ থোৱা বোধ হয় ভাল হব যে এই তথ্য বা মতামত (Theories or speculative hypothesis) বিলাক এতিয়ালৈকে সত্য হিচাবে গৃহীত নহলেও জ্ঞানপীপাসু মানৱৰ চিন্তা ধাৰাত একো একোটা নতুন ভাবৰ হেতু সৃষ্টি কৰি আমাৰ অজ্ঞতা দূৰ কৰিবলৈ বহুতো আগ বাঢ়িছে।

মানৱ জাতিৰ বুৰঞ্জী লিখিত হবৰ পিছৰ পৰা প্ৰায় বেছি ভাগ অংশলৈকে গ্ৰীক দাৰ্শনিক এৰিষ্টটোলৰ মতটোৱেই—যে বহুতো প্ৰকাৰ প্ৰাণী জীৱন আগৰ ক্ষয় হোৱা কিম্বা বিলুপ্ত হোৱা প্ৰাচীন কিছুমান জৈৱিক আকাৰৰ পৰা উৎপত্তি হৈছে—প্ৰাধান্য লাভ কৰি আহিছিল। বাস্তবিকতে বৰ্ত্তমান যুগৰ প্ৰাৰম্ভলৈকে জৈৱিক জগত আপোনা-আপুনি সৃষ্ট হোৱা মতটোহে (Theory of spontaneous generation) চিন্তাশীল পণ্ডিতসকলেও গ্ৰহণ কৰি আহিছিল। পেস্তৰ (Pasteur) চাহাবৰ পৰীক্ষা-মূলক তত্বই এই তথ্যৰ ওপৰত কুঠাৰাঘাত কৰাৰ আগেয়েও বহুতো গবেষকে এই তথ্যটোৰ অমূলকতা প্ৰমাণ কৰি গৈছিল। সোতৰ শতিকাৰ প্ৰায় শেহ ভাগতে বৈজ্ঞানিক Redi চাহাবে প্ৰমাণ কৰিছিল যে মাখি নপৰিলে মাংসৰ ওপৰত হোৱা পোকবোৰৰ (maggots) সৃষ্টি নহয়। আনকি মাখি পৰিও কণী নেপাৰিলে সেই পোকবোৰৰ ক্ৰম-বৃদ্ধি নহয়। Nedham আৰু Buffon আদি চাহাবে এই মত অমূলক বুলি বিশ্বাস কৰিছিল। কিন্তু Spallanzani, Schwan, Cagniard de la Tour আদিৰ পৰীক্ষামূলক গবেষণাই Redi-ৰ মতটোৰ সত্যতাহে প্ৰমাণ কৰিছিল। এওঁলোকৰ তথ্যৰ ওপৰতে Pasteur চাহাবৰ তত্ব প্ৰতিষ্ঠিত হৈছে। এই তথ্য গৃহীত হোৱাৰ পাছৰ পৰাই আগৰ জৈৱিক জগত আপোনাআপুনি সৃষ্ট হোৱা (Theory of spontaneous generation) মতটো লোপ পাইছে। কিন্তু সাধাৰণতে এইখিনিতে এটা প্ৰশ্ন উঠে—এই মতটো সঁচাকৈয়ে বিলুপ্ত হৈছে নে? এই মতামতৰ বিপক্ষে দিয়া আটাইবোৰ যুক্তি-তৰ্ক সহজ, সৰল আৰু যুক্তিপূৰ্ণ নে? এই প্ৰশ্নৰাশি সম্বন্ধে ভালকৈ ভাবি চোৱা উচিত। প্ৰাণীবিদ্‌সকলে (Biologists) স্বীকাৰ কৰি আহিছে যে জৈৱিক জগতৰ বেলেগ বেলেগ আকাৰ (প্ৰাণী আৰু উদ্ভিদ) একে কিম্বা প্ৰায় একে প্ৰকাৰ আকাৰৰ পুনৰোৎপাদন প্ৰণালীৰ পৰাহে সৃষ্টি আৰু বৃদ্ধি হৈছে। কিন্তু বহুতো বৈজ্ঞানিকে এই সত্য স্বীকাৰ কৰাৰ লগে লগে সন্দেহ কৰি আহিছে যে কিছুমান জৈৱিক আকাৰ যাৰ আচল স্বৰূপ আমাৰ বৰ্ত্তমান জ্ঞানৰাশিৰ দ্বাৰা বুজিবলৈ আমি অক্ষম—সেই জৈৱিক আকাৰবিলাক (forms of life) কিছুমান অজৈৱিক মূল পদাৰ্থৰ (inorgamic elements) পৰাই

সৃষ্ট হোরা বুলি অনুমান কবিব নোৱাৰি নে? দবাচলতে সংখ্যা-লঘিষ্ঠ হলেও এদল চিন্তাশীল পণ্ডিতে জৈৱিক জগত আপোনাআপুনি সৃষ্ট হোৱা মতটো (Theory of spontaneous generation) লোপ পোৱা সত্ত্বেও তাক একেবাৰে অমূলক বুলি ভবা নাই। এই মতামত সম্বন্ধে অলপ সূক্ষ্মভাৱে বিচাৰ কবি আটাইবিলাক যুক্তি-তর্ক বিজ্ঞানসম্মত যুক্তিপূর্ণ নহয় বুলি স্বীকাৰ কৰিও, তাৰ গভীৰ আৰু জটিল সিদ্ধান্তবিলাক একেবাৰে অমূলক বুলি উকৰাই দিব নোৱাৰি।

তেন্তে আমাৰ এতিয়া প্রশ্ন হৈছে জৈৱিক আকাৰবিলাকৰ আৰম্ভ হল কেতিয়া? জীৱবিজ্ঞানৰ বহুতো জৈৱিক এই বিষয়ে বিশেষ একো ভাবিলৈ প্রস্তুত নহয়, কিয়নো তেওঁলোকে বিশ্বাস কৰে যে যেনেকৈ অজৈৱিক পদার্থবিলাকৰ আদি-অন্ত বিচাৰিবৰ কোনো প্রয়োজন নাই ঠিক সেই দৰেই জৈৱিক আকাৰবিলাকৰো প্রাৰম্ভৰ কোনো প্রয়োজন নাই। এই মতাৱলী বহুতো পণ্ডিতে বিশ্বাস কৰে যে জৈৱিক আকাৰবিলাকৰ কোনো আদি নাই, অজৈৱিক পদার্থবিলাকৰ দৰেই জৈৱিক আকাৰবিলাকো এই নাক্ষত্রিক বিস্তৃতিত (space) আগৰে পৰা অৱস্থান কৰিছিল। এনে এটা মত অৱশ্যে ভিত্তিহীন। এই মতটোৱে অনুসন্ধিৎসু মানৱ মনৰ আটাইবিলাক প্রশ্ন আৰু সন্দেহ দূৰ কৰিব নোৱাৰে। বর্ত্তমানে পোৱা বহুতো প্রমাণ আদিয়ে এই মতটোৰ অমূলকতা প্রমাণ কৰে। ক্রমবিকাশ মত (Theory of evolution) সঁচা বুলি স্বীকাৰ কৰি জৈৱিক আকাৰৰ যে কোনো আদি বা প্রাথমিক অৱস্থা নাই বুলি কোৱা যুক্তিৰাৰ বোধ হয় অমূলক হব। দবাচলতে ক্রমবিকাশ মতটোৱে (Theory of evolution) এনে এটা মতৰ বিৰুদ্ধেহে কিছুমান অনুমানিক আৰু অৱস্থাগতিক প্রমাণ দিয়ে। ভূতলৰ প্রাচীন তত্ত্ববিদ্‌সকলে (Palaeontologist) সংগ্রহ কৰা কিছুমান অথণ্ডনীয় প্রমাণ আদিয়ে বঢ়িয়াকৈ দেখুৱাইছে যে পৃথিবীত জৈৱিক আকাৰৰ এটা আদিম অৱস্থা আছিল আৰু শৃঙ্খলাবদ্ধভাৱে বহুতো আকাৰ প্রাথমিক ক্ষুদ্র আৰু মৌলিক অৱস্থাৰ পৰাহে লাহে লাহে জটিলাকাৰ ধাৰণ কৰিছে। এই মতটো সঁচা বুলি কোৱা মানে আওপাকে ক্রমবিবর্ত্তনামৰ মূলতে কিছুমান অতি প্রাথমিক জৈৱিক আকাৰ আছিল বুলি স্বীকাৰ কৰা। যদি সেয়ে হয় তেন্তে এই আকাৰবিলাক নো পৃথিবীত কৰ পৰা কেনেকৈ আহিল? এই আকাৰবিলাক তেন্তে কিছুমান বসায়ণিক মূল পদার্থ বা বস্তুৰ সংশ্লেষণ যোগতে (synthesis) সৃষ্ট হল নে কি?

এইবিনি কথা পাতনি হিচাবে দি এই পৃথিবীত জৈৱিক আকাৰৰ উৎপত্তি সম্বন্ধে প্রচলিত মতাৱলীৰ বিষয়ে আলোচনা কৰা যাওক। এই সম্বন্ধে দাড়ি দিবা মতবিলাকৰ ভিতৰত বোধ হয় Cosmozoa theory-টোৱেই আটাইতকৈ প্রাচীন। এই তত্ত্ব মতে অনুমান কৰে যে জ্যোতিষ্ক-মণ্ডলীৰ কোনোবা এটা গ্রহৰ পৰা জীৱনৰ মৌলিক বীজ আমাৰ গ্রহলৈ কেনেবাকৈ আহিছিল। এই শ্রেণীৰ মত প্রথমতে Richter, Helmholtz আৰু Kelvin আদিয়ে জগতৰ আগত স্বাতন্ত্র্যভাৱে দাড়ি দিছিল। কিন্তু Arrhenius-এ "Das Warden Der Welten"-ত এই বিষয়ে বিষদৰূপে আলোচনা কৰাৰ আগলৈকে এই মতটোৱে বেছি প্রাধান্য লাভ কৰা নাছিল। Arrhenius-এ বিশ্বাস কৰে যে আলোক বশ্মিৰ বিকীৰণৰ চাপৰ ((Pressure of light radiation) গুৰুত্ব মহাকর্ষণ শক্তিতকৈয়ো বহুত গুণে বেছি। এই শক্তিৰ কাৰণেই কোনোবা অতীত যুগত বিশ্বব্রহ্মাণ্ডৰ অন্যান্য গ্রহৰ পৰা অণুবীক্ষণ যন্ত্রৰ সাহায্যবেহে মনিব পৰা জৈৱিক আকাৰৰ অতি সূক্ষ্ম বীজ বা অন্যান্য প্রাথমিক জীৱস্ত মূলবস্তু আমাৰ এই পৃথিবীলৈ আহিছিল। এই তত্ত্বটোৱে আমাৰ এই পৃথিবীত জৈৱিক আকাৰৰ আদিম অৱস্থা আৰু তাৰ স্থাপন প্রণালীকে নির্দ্দেশ কৰিছে। প্রথমতে আলোচনা কৰি অহা মতটো নেনেকৈ সকলো বকমে যুক্তিপূর্ণ নহয়, ঠিক সেই দৰেই এতিয়া বর্ণনা কৰা মতটোৱেও আটাইবিলাক সমালোচনা আৰু যুক্তি-তর্ক খণ্ডাব নোৱাৰে। এই তথ্যটোৱে জীৱৰ উৎপত্তিৰ বিষয়ে ব্যাখ্যা কৰিব নোৱাৰে। ইয়াৰ বাহিৰেও এই মতটোৰ বিপক্ষে আৰু কেবাটাও বিশেষ আপত্তি আছে। পৃথিবী আৰু অন্যান্য

গ্রহাদিৰ দূৰত্ব ইমান বেছি যে এই দূৰত্ব অতিক্রম কৰিলৈ জীৱনৰ সেই অণুমানিক বীজবিলাক আটাইবোৰ দুর্গোন্ধ আৰু অৱস্থাৰ বিপর্য্যয়তো জীয়াই আছিল নে কথাষাৰ সন্দেহ নকৰি নোৱাৰি। গ্রহাদিৰ মাজৰ ঠাইবিলাক (inter space among the planets) ইমান বেছি চেগা যে "জীৱনৰ বীজ" এইবিলাক ঠাই অতিক্রম কৰিতে জীৱস্ত হৈ আহিছিল বুলি বিশ্বাস কৰিব নোৱাৰি। এই দুটা আপত্তিৰ তিতৰত বোধ হয় দ্বিতীয় আপত্তিটোহে বেছি গুৰুতৰ। এই দ্বিতীয় আপত্তি সম্পর্কে বহুতো বৈজ্ঞানিক কয় যে Dyer চাহাবৰ গবেষণাই প্রমাণ কৰিছে যে বহুতো উদ্ভিদ বীজে তবল বায়ু আৰু তবল উদ্‌জানৰ (liquid air and liquid hydrogen) চেগাকো উৎপাদন শক্তি নষ্ট নোহোৱাকৈ সহজে কেথ-টা-মান মতি থাকিব পাবে। কিন্তু কেথণ্টামান আৰু কেবছৰ বা কেবা শতাব্দীৰ পার্থক্য বহুতো বেছি। গতিকে এই উত্তৰ বৰ যুক্তিপূর্ণ নহয়; অৱশ্যে জীৱন কর্ম্মনিবত অৱস্থাত (state of dormancy) জাগতিক বিস্তৃতিত (cosmic space) পানীয় বাষ্প নথকা আৰু অতিশয় চেগাই শ্বাসপ্রশ্বাস প্রণালীৰ অতি মৃদু গতিত চলিবলৈ সুবিধা দিয়া হেতুকে জাগতিক বিস্তৃতিৰ (cosmic space) প্রতিকূল অৱস্থাতো জীৱনৰ বীজ বহুত দিন জীৱন্ত অৱস্থাত থাকিব পাবে। কিন্তু কর্ম্মনিবত অৱস্থাত থাকিলেও জীৱনৰ শ্বাসপ্রশ্বাস প্রণালীৰ প্রয়োজন। গতিকে সন্দেহ নকৰি নোৱাৰি যে এনে প্রতিকূল অৱস্থাত (বিশেষকৈ ইমান চেগাত) কিমান দিনলৈকে সেই বীজবিলাকে অতি ধীৰে ধীৰে হলেও শ্বাসপ্রশ্বাস লৈ আছিল? বর্ত্তমানলৈকে উদ্ভিদ জগতৰ এটা ঘটনাতহে কিছুমান বীজ ১৫০ বছৰ পুনৰোৎপাদন শক্তি নষ্ট নোহোৱাকৈ জীৱিত থকা দেখা গৈছে। অইন গ্রহাদিৰ পৰা আমাৰ পৃথিবীৰ দূৰত্ব আৰু এই মাজৰ ঠাইৰ ঠাণ্ডাৰ কথা মনত বাখি, শ্বাসপ্রশ্বাস প্রণালীৰ সুযোগ আৰু অনুকূল অৱস্থাৰ কথা ভাবি লৈয়ো, এই অনুমানিক বীজৰ জীৱন্ত অৱস্থাৰ বিষয়ে সন্দেহ উপস্থিত হয়। আকৌ আন ফালেদি আমি জানো যে জীৱন্ত অৱস্থাত থাকিবলৈ হলে অম্লজান বাষ্পৰ (oxygen) প্রয়োজন। তেন্তে এই অনুমানিক বীজবিলাক অইন গ্রহৰ পৰা এই দূৰত্ব অতিক্রম কৰি আহোঁতে লগা শ শ বছৰ অম্লজান (oxygen) বাষ্প নোহোৱাকৈ কেনেকৈ জীয়াই আছিল? এই মতৰ বিৰুদ্ধে থিয় কৰোৱা আটাইবিলাক আপত্তিৰ ভিতৰত বোধ কৰোঁ এইটোৱেই সর্ব্বপ্রধান।

ওপৰৰ এই আলোচনাৰ পৰা বুজা যাব যে এই Cosmozoa theory-ৰ সপক্ষে কিম্বা বিপক্ষেও বিশেষ একো স্বাতাং প্রমাণ দিব পবা নাই। মুঠতে এই তথ্যটোৱে আমাক জীৱ জগতৰ উৎপত্তি সম্বন্ধে কোনো এক সম্ভৱ সিদ্ধান্তত উপনীত কৰাব পবা নাই। আচলতে এই Cosmozoa theory-টো সাধাৰণ অনুসন্ধিৎসু মানৱ মনৰ এটি অতি জটিল সমস্যাৰ উত্তৰৰ প্রচেষ্টাহে বুলিব পাৰি। এই মতটোৰ বহুত ঠাইতে বৈজ্ঞানিক যুক্তি নাই বুলিলেও বোধ হয় বঢ়াই কোৱা নহব।

এই প্রশ্ন সম্বন্ধে আৰু আধুনিক অভিমতবিলাক ওপৰত উল্লেখ কৰি অহা মতামতবিলাকতকৈ বেছি বিজ্ঞানসাপেক্ষ হলেও বিশেষ বিশেষ প্রকৃতিমূলক বুলিব পাৰি। তেওঁবিলাকে মূলতে জীৱনৰ যে এটা উৎপত্তি আৰু আৰম্ভ আছে এই কথাষাৰ সত্য বুলি ধৰি লৈছে। এই ধাৰণাকে প্রাথমিক হিচাবে ধৰি লৈ তেওঁলোকে তাৰ একোটা সম্ভৱ কাৰণৰ যুক্তি-তর্ক থিয় কৰাইছে। এই শ্রেণীৰ বৈজ্ঞানিকসকলৰ বেলেগে বেলেগে মতামতৰ ভিত্তি মুঠতে এটা অনুমানহে। এই আধুনিক বৈজ্ঞানিকসকলৰ মতামত আৰু আগেয়ে উল্লেখ কৰি অহা মতামতবিলাকৰ ভিতৰত এইখিনিতে এটা পার্থক্য দেখা গৈছে।

জীৱ জগতৰ মূল পদার্থ হৈছে জীৱ-মূল (protoplasm)। এই জীৱ-মূলকে জীৱনৰ সকলোবিলাক লক্ষণ প্রকাশৰ মূল বুলি সিদ্ধান্ত কৰা হৈছে। এই পদার্থটোৰ বসায়ণিক স্বৰূপ সম্বন্ধে বৈজ্ঞানিকসকলে চিবাং কবিছে যে ই এবিধ অম্লমূল (protein)। প্রাণী আৰু উদ্ভিদ জগতৰ আটাইবিলাক আকাৰতে অম্লমূল (protein) বোলা এই বসায়ণিক যৌগিক পদার্থটো (organic compound)

পোরা হেতুকে জৈবিক আকাবত এই বস্তুটোব অবস্থান জীব জগতব এটা বিশেষ লক্ষণকে বুলিব পাবি। জৈবিক বসায়ণব বিশব গবেষণা সত্বেও এই শ্রেণীব যৌগিক পদার্থ সংশ্লেষণ কবি প্রস্তুত (synthesis) কবিবব সমর্থ হোরা নাই। এই প্রচেষ্টাব সাফল্য লাভ নোহোরা-লৈকে বোধ কবো অম্লমূল (protein) আক জীবমূল (protoplasm) সম্পর্কে বৈজ্ঞানিকসকলে সকলো কথা জানিব নোৱাবিব। অথচ জীব-মূল (protoplasm) আক অম্লমূলব (protein) মাজত ইমান ওচব সম্বন্ধ আছে যে অম্লমূলব (protein) সম্যক ৰূপ নজনালৈকে জীব-মূল সম্পর্কেও বহুতো কথা নেজানিম। এই ইমান ওচব সম্বন্ধ থকাব কাবণেই এই অম্ল-মূলব (বা জীব-মূলব) আচল বসায়ণিক স্বৰূপ জানিবলৈ যত্ন কবি আক তাব পবা জীব-মূল সম্পর্কে কিছুমান সত্য বিচাবি উলিওবা বা অন্ততঃ অনুমান কবা অতি স্বাভাবিক।

বৈজ্ঞানিক Pfliiger চাহাবে অম্লমূল (protein) পদার্থবিলাক দুভাগত বিভক্ত কবিছিল। মিবিলাক অম্লমূল (protein) জৈৱীক আকাবত পোরা যায় সেই-বিলাকক "জীবিত অম্লমূল" (living protein) আক মিবিলাক অম্লমূলক অজীবন্ত পদার্থত পোরা যায় সেই বিলাকক "মৃত অম্লমূল" (dead protein যেনে হাঁহ-কলীব বগাবিনি) বুলিছিল। এই "জীবিত" আক "মৃত" অম্লমূলব বসায়ণিক প্রভেদ হৈছে যে "জীবিত অম্লমূলত" বোধ হয় cyanogen বোলা এটা অংশ থাকে বা নাথাকিলেও cyanogen থকা অন্যান্য বস্তুব পবা অণু-পৰমাণুব বেলেগ বেলেগ অস্তবানব পবা কৃত্রিম ভাবে হলেও তৈয়াবী হব পাবে। এই কাবণেই Pfliiger চাহাবে বিশ্বাস কবে যে cyanogen অংশটো জীবিত অম্লমূলব এটা বিশেষ অংশ। এই যৌগিক পদার্থটো প্রস্তুত হবব সময়ত বহুতো তাপ সোমোৱা (heat of absorption) হেতুকে এই পদার্থটোব কার্য্যকবি শক্তি (energy) বহুত বেছি। ইমান শক্তি থকাব কাবণেই জীব-মূলত আমি আভ্যন্তবিক গতি (internal move-ment) দেখিবলৈ পাওঁ। সাধাবণতে cyanogen আক তাব যৌগিক পদার্থবিলাক খেতোজ্জ্বল তাপত্বে (incandescent heat) প্রস্তুত হয়। সেই কাবণেই তেখেতে অনুমান কবিছে যে পৃথিবী সৃষ্টি হবব সময়ত খেতোজ্জ্বল হৈ থাকোঁতেই জীব-মূলব এই বিশেষ অংশ cyamogen-অবো সৃষ্টি হৈছিল। গতিকে জৈবিক যৌগিক পদার্থবিলাকব (organic compounds) ভিতবত cyanogen-আক আটাইতকৈ বেছি পুবাতন বুলি তেখেতে অনুমান কবে। এই cyanogen অংশটো আক জীব-মূলব (protaplasm) বসায়ণিক প্রক্রিয়াব মাজত বহুতো সমিল থকাটোও Pfliiger চাহাবে প্রমাণ কবিছে। দবাচলতে Pfliiger-অব অভিমত আগব প্রচলিত মতামততকৈ বেছি বিজ্ঞানসম্মত, আক বিজ্ঞানসম্মত যুক্তিবে সৈতে কিছুমান বসায়ণিক মূল পদার্থব পবা cyanogen অংশটোক ভিত্তি কবি কিছুমান বসায়ণিক প্রতিক্রিয়াবে জীব-মূল (proto-plasm) নির্ম্মাণব এটা পবিকল্পনা। এই মতটোৱে জীবনব উৎপত্তি বা প্রাৰম্ভ জীব-মূলব দবে এটি অতি জটিল পদার্থ নির্ম্মাণতহে নির্ভব কবিছে বুলি ধবি লৈছে। এই আটাইবিলাক যুক্তিব সূক্ষ্ম বিচাব কবি চালে দেখা যায় যে এই মতটোৱে জীব-জগতব উৎপত্তি কেনেকৈ হল এই প্রশ্নটোব উত্তব নিদি জীব-মূলব বসায়ণিক নির্ম্মাণ প্রণালীহে ব্যাখ্যা কবিছে।

Pfliiger-ব দবেও Benjamin Moore-এ জীব জগতব আবম্ভ কিছুমান অজৈৱিক বসায়ণিক মূল পদার্থব (elements) পবা হৈছে বুলি বিশ্বাস কবে। Moore-এ অনুমান কবে যে পদার্থই স্থিব সমস্থাত (labile equilibrium) থাকি নিজব আবেষ্টনব (environment) পবা পোরা কিছুমান শক্তি অনুযায়ী ক্রমাগত ভাবে বেছি জটিলাকাব ধাবণ কবে। এই ধাবণাব ওপবতে তেখেতে তেখেতব Law of complexity বোলা তথ্যটোও থিব কবিছে। এই বিষয়েও দৃকৈ চিন্তা কবি চালে দেখিবলৈ পাওঁ যে এই তথ্যটোৱে অণু-পৰমাণু (molecule and atom) আদিব পবা আবম্ভ কবি জৈবিক আকাব আদিলৈ নির্ম্মাণ প্রণালীকে ব্যাখ্যা কবিছে। Pfliiger-অব দবেই Moore-এও অম্লমূল (protein) আক জীবমূলক (protoplasm) জীব জগতব মূল বস্তু বুলি ধবি লৈছে। ইত্যাদি বিলাক কাবণতে এই মতটোৱেও আমাক মূল প্রশ্নটোব সমাধানত বিশেষ একো সহায়তা নকবে। সেই কাবণে তেখেতব মতামত আগব মতামতবোবব এটা নতুন ব্যাখ্যাহে।

মঠতে আমাব এই গ্রহত জৈবিক আকাবব প্রথম উৎপত্তি সম্বন্ধে ওপবত উদ্ধৃকিয়াই অহা প্রচলিত মতামত-বিলাক দুই শ্রেণীত বিভক্ত কবিব পাবি। এক শ্রেণীব বৈজ্ঞানিকসকলব মতামত হৈছে যে এই পৃথিবীত জৈবিক আকাব কিছুমান অতি সবল আকাবলৈহে—যদিও সিহঁতব গঠন-প্রণালী অতি জটিল—আবম্ভ হৈছিল। এই আকাববিলাকব মূল-প্রাণ জটিল পদার্থবিলাক পোন প্রথমতে বিশ্বব্রহ্মাণ্ডব অইন কোনোবা গ্রহব পবাহে আমাব পৃথিবীলৈ স্থানান্তবিত হৈছিল। অন্য শ্রেণীব পণ্ডিতসকলে কল্পনা কবে যে জীবব মূল-প্রাণ আমাব এই গ্রহতে প্রস্তুত হৈছিল। কিছুমান বসায়ণিক পদার্থব অনুকূল অবস্থাত প্রতিক্রিয়া হৈ প্রথমতে সবল কিছুমান বসায়ণিক যৌগিক পদার্থব (simple chemical compounds) সৃষ্টি হয়, ক্রমে সেই সবল পদার্থবিলাক আক কিছুমান পবিবর্ত্তনশীল অবস্থাব মাজত পবি আক বেছি জটিলাকাব ধাবণ কবি শেহত জীবনব সকলো লক্ষণাৱলীব আধাব এই জীবমূলব (protoplasm) বর্ত্তমান অবস্থা প্রাপ্ত হৈছে।

কেলিফোৰ্ণিয়া বিশ্ববিদ্যালয়ব অধ্যাপক Lipman চাহাবে এই সম্বন্ধে এটি মত দাঙি ধবিছে। তেখেতে বিশ্বাস কবে যে আগব তথা অনুসবি জৈবিক আকাবব আবম্ভনিব অবস্থা আক অজৈৱিক পদার্থব ভিতবত থকা বুলি ভবা ব্যবধানব ধাবণা অতি অযুক্তিকব। জৈবিক পদার্থবিলাকব ভিতবত থকা শৃঙ্খলাপূর্ণ সমপৰিমিতিব পবা Lipman চাহাবে কল্পনা কবে যে জৈবিক মূলভিত্তি আক অজৈৱিক পদার্থব মাজত এটি বিশেষ ব্যবধান থকাতকৈ জৈবিক মূলভিত্তি অজৈৱিক পদার্থব পবাই ক্রমাগতভাবে জটিলাকাব ধাবণ কবাহে বেছি বিশ্বাসযোগ্য। এই ধাবণা সঁচা বুলি স্বীকাব কবিব লাগিলে আমি জীব-মূল (protoplasm) কিম্বা অম্লমূলতকৈয়ো (protein) কিছুমান সহজ পদার্থব ভিতবতহে জীবনব লক্ষণাৱলীব

প্রশ্নটোব সমাধানত বিশেষ একো সহায়তা নকবে। দবাচলতে তেখেতব মতামত আগব মতামতবোবব এটা নতুন ব্যাখ্যাহে।

মঠতে আমাব এই গ্রহত জৈবিক আকাবব প্রথম উৎপত্তি সম্বন্ধে ওপবত উদ্ধৃকিয়াই অহা প্রচলিত মতামত-বিলাক দুই শ্রেণীত বিভক্ত কবিব পাবি। এক শ্রেণীব বৈজ্ঞানিকসকলব মতামত হৈছে যে এই পৃথিবীত জৈবিক আকাব কিছুমান অতি সবল আকাবলৈহে—যদিও সিহঁতব গঠন-প্রণালী অতি জটিল—আবম্ভ হৈছিল। এই আকাববিলাকব মূল-প্রাণ জটিল পদার্থবিলাক পোন প্রথমতে বিশ্বব্রহ্মাণ্ডব অইন কোনোবা গ্রহব পবাহে আমাব পৃথিবীলৈ স্থানান্তবিত হৈছিল। অন্য শ্রেণীব পণ্ডিতসকলে কল্পনা কবে যে জীবব মূল-প্রাণ আমাব এই গ্রহতে প্রস্তুত হৈছিল। কিছুমান বসায়ণিক পদার্থব অনুকূল অবস্থাত প্রতিক্রিয়া হৈ প্রথমতে সবল কিছুমান বসায়ণিক যৌগিক পদার্থব (simple chemical compounds) সৃষ্টি হয়, ক্রমে সেই সবল পদার্থবিলাক আক কিছুমান পবিবর্ত্তনশীল অবস্থাব মাজত পবি আক বেছি জটিলাকাব ধাবণ কবি শেহত জীবনব সকলো লক্ষণাৱলীব আধাব এই জীবমূলব (protoplasm) বর্ত্তমান অবস্থা প্রাপ্ত হৈছে।

কেলিফোৰ্ণিয়া বিশ্ববিদ্যালয়ব অধ্যাপক Lipman চাহাবে এই সম্বন্ধে এটি মত দাঙি ধবিছে। তেখেতে বিশ্বাস কবে যে আগব তথ্য অনুসবি জৈবিক আকাবব আবম্ভনিব অবস্থা আক অজৈৱিক পদার্থব ভিতবত থকা বুলি ভবা ব্যবধানব ধাবণা অতি অযুক্তিকব। জৈবিক পদার্থবিলাকব ভিতবত থকা শৃঙ্খলাপূর্ণ সমপৰিমিতিব পবা Lipman চাহাবে কল্পনা কবে যে জৈবিক মূলভিত্তি আক অজৈৱিক পদার্থব মাজত এটি বিশেষ ব্যবধান থকাতকৈ জৈবিক মূলভিত্তি অজৈৱিক পদার্থব পবাই ক্রমাগতভাবে জটিলাকাব ধাবণ কবাহে বেছি বিশ্বাসযোগ্য। এই ধাবণা সঁচা বুলি স্বীকাব কবিব লাগিলে আমি জীব-মূল (protoplasm) কিম্বা অম্লমূলতকৈয়ো (protein) কিছুমান সহজ পদার্থব ভিতবতহে জীবনব লক্ষণাৱলীব

H. F. Osborn-অব মতামতেও আমাক এই

আভাষ বিচাৰিব লাগিব। তেখেতে বিশ্বাস কৰে যে হয়তো জীৱ জগতৰ মূল-প্ৰাণ অন্নমূল (protein) কিম্বা জীৱ-মূলতকৈয়ো (protoplasm) সহজ সৰল পদাৰ্থৰ অণু-পৰমাণুতে লুকায়িত আছিল। এনে বিধ অণু-পৰমাণুত জীৱনৰ মূল-প্ৰাণ জীৱ-মূলৰ (protoplasm) নিচিনা জটিল পদাৰ্থ প্ৰস্তুত হবৰ বহুত আগৰে পৰা সোমাই আছিল। জীৱ-মূল (protoplasm) আৰু অন্নমূলৰ (protein) ৰসায়ণিক নিৰ্ম্মাণ আৰু এই অনুমানিক পদাৰ্থৰো ৰসায়ণিক নিৰ্ম্মাণ মূল পদাৰ্থৰ ফালৰ পৰা (elemental composition) একে হলেও বোধ হয় অণু-পৰমাণুৰ শৃঙ্খলাপূৰ্ণ গঠন-প্ৰণালীৰ (arrangement of atoms and moleculs) বহুতো প্ৰভেদ থকাই বিশ্বাসযোগ্য। আমি ৰসায়ণ বিজ্ঞানৰ পৰা, বিশেষকৈ জৈৱিক ৰসায়ণৰ পৰা, জানো যে যৌগিক পদাৰ্থবিলাকৰ (chemical compounds) মূল পদাৰ্থবিলাক (elements) একে হলেও সিহঁতৰ অণু-পৰমাণুবিলাকৰ সজোৱা প্ৰণালীৰ (arangement of atoms and molecules) পাৰ্থক্য হলেই সেই যৌগিক পদাৰ্থবিলাকৰো আকাৰ আৰু গুণাগুণৰ বহুতো প্ৰভেদ হয়। মূল পদাৰ্থবিলাকৰ (elements) গুণাগুণতকৈও অণু পৰমাণুবিলাকৰ সজোৱা প্ৰণালীৰ ওপৰতহে যৌগিক পদাৰ্থবিলাকৰ গুণাগুণ বেছিকৈ নিৰ্ভৰ কৰে। হীৰা আৰু কয়লাৰ ভিতৰত আকাশ-পাতাল প্ৰভেদ কিন্তু সিহঁতৰ মূল পদাৰ্থ জানো একে নহয়। সিহঁতৰ মূল পদাৰ্থ সেই একে "কাৰ্ব্বণে"ই কিন্তু আমি সিহঁতৰ আকাৰ আৰু গুণাগুণৰ প্ৰভেদৰ কাৰণ বিচাৰোঁ সিহঁতৰ অণু-পৰমাণুৰ সজোৱা প্ৰণালীৰ পাৰ্থক্যত। একে কিছুমান ইটাক বেলেগ বেলেগ ৰূপে সজাই যেনেকৈ বেলেগ বেলেগ আকাৰৰ বস্তু সাজিব পাৰি ঠিক সেই একে দৰেই পদাৰ্থৰ অণু পৰমাণুৰ সজোৱা প্ৰণালীৰ বিভিন্নতাৰ কাৰণেই সিহঁতৰ বেলেগ বেলেগ আকাৰ আৰু গুণ হয়। পৃথিবীৰ জলস্থলময় হৈ থকা প্ৰথমাৱস্থাতে বিজুলী আৰু ৰসায়ণিক শক্তি বহুত গুণে বেছি আছিল বুলি বৈজ্ঞানিকসকলে বিশ্বাস কৰে। সেই অপৰিমিত শক্তিৰ সাহায্যতে কিছুমান সহজ পদাৰ্থ বোধ হয় এনে ধৰণে লগ লাগিছিল যে সিহঁতৰ সংযোগত জীৱনৰ সকলো লক্ষণপূৰ্ণ একোটি অণুৰ সৃষ্টি হৈছিল। বোধ হয় এই জীৱন্ত অণুটোৰ কাৰ্য্যক্ষমতা,গতি আদি অতি প্ৰাথমিক অৱস্থাৰ হলেও জীৱ জগতৰ আটাইতকৈ নিম্নশ্ৰেণীৰ প্ৰাণী amabe আদিৰ দৰেই আছিল। এই অণুবোৰেই বোধ হয় আৰু অন্যান্য অণু-পৰমাণুৰ লগত লগ লাগি যুগ-যুগান্তৰৰ ৰসায়ণিক প্ৰক্ৰিয়াৰ ফলত অন্নমূল (protein) আৰু জীৱমূল আদি (protoplasm) নিৰ্ম্মিত হৈছিল।

জীৱ জগতৰ কিছুমান প্ৰাণীৰ কথা ভাবি চালে এই মতটো সম্বন্ধে দুটামান কথা ফটফটীয়া হয়। প্ৰাণী জগতৰ আটাইতকৈ ক্ষুদ্ৰতম জীৱ হৈছে Bacteria। যদিও বৈজ্ঞানিকসকলে অণুবীক্ষণ যন্ত্ৰ নিৰ্ম্মাণৰ চৰম উৎকৰ্ষ পাইছেগৈ তথাপিও কিছুমান Bacteria এতিয়াও আমি আটাইতকৈ ভাল অণুবীক্ষণ যন্ত্ৰৰ সাহায্যেৰেও মনিব নোৱাৰোঁ। কিন্তু অন্যান্য প্ৰমাণ আদিয়ে সুন্দৰকৈ প্ৰমাণ কৰিছে যে এনেকুৱা কিছুমান অতিশয় ক্ষুদ্ৰ জীৱ (filterable virus) সঁচাকৈয়ে আছে। ইমান ক্ষুদ্ৰাদি-ক্ষুদ্ৰ জীৱবিলাকৰ ভিতৰত নো জীৱমূল (protoplasm) কি ভাৱে আছে তাক আমি নাজানো। আচলতে তেনে জীৱ-মূল থাকক বা নাথাকক, ওপৰত অনুমান কৰি অহা জীৱ-প্ৰাণৰ মূল বস্তুতকৈ যে সিহঁতৰ জীৱ-মূল বহুতো প্ৰভেদ, এইটো সহজে অনুমান কৰিব পাৰি। যদি এয়ে সচাঁ হয়, তেন্তে আগেয়ে বিশ্বাস কৰা অজৈৱিক পদাৰ্থৰ মাজত যি এটা বিশেষ ব্যৱধান থকা বুলি অনুমান কৰা হৈছিল কাৰ্য্যতঃ বোধ হয় সিমান পাৰ্থক্য নাই।

এইখিনিতে আৰু এটা কথাৰ আলোচনা বোধ হয় অপ্ৰাসঙ্গিক নহব। জীৱতত্ত্ববিদ্‌সকলে প্ৰাণীজগত (animal kingdom) আৰু উদ্ভিদ জগতৰ (vegetable kingdom) ভিতৰত কোন বেছি পুৰাতন এই লৈয়ো বহুতো আলোচনা কৰিছে। ওপৰত আলোচনা কৰি অহা প্ৰশ্নটোৰ দৰেই, এই সমস্যাটোৰো বিশেষ একো সমাধান হোৱা নাই।

সাধাৰণতে প্ৰাণী জগত আৰু উদ্ভিদ জগতৰ মাজত এটা বিশেষ প্ৰভেদ দেখা যায়। উদ্ভিদবিলাকে নিজৰ

প্ৰয়োজনীয় আহাৰ মূল পদাৰ্থবিলাকৰ পৰা সংযোগ কৰি প্ৰস্তুত কৰিব পাৰে। কিন্তু প্ৰাণীবিলাকৰ সেই প্ৰস্তুত কৰিব পৰা শক্তি নথকাত খাদ্যৰ কাৰণে সিহঁতে উদ্ভিদ জগতৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। এই নিৰ্ভৰতাৰ কাৰণেই Macfarlane-অৰ দৰে কিছুমান বৈজ্ঞানিকে প্ৰাণী জগততকৈ উদ্ভিদ জগত বেছি পুৰাতন বুলি বিশ্বাস কৰে। আন ফালেদি Lipman-অকে আদি কৰি কিছুমান চিন্তাশীল পণ্ডিতে ঠিৰাং কৰিছে যে পৃথিবীৰ প্ৰাথমিক অৱস্থাত তাপ আৰু অন্যান্য অৱস্থাবিলাক একেলগে বহুতো প্ৰকাৰ জৈৱিক পদাৰ্থ উৎপাদনৰ ৰসায়ণিক প্ৰক্ৰিয়াৰ অনুকূল আছিল। এই কাৰণেই প্ৰাণী জগত উদ্ভিদ জগততকৈ পুৰাতন নহলেও অন্ততঃ প্ৰায় একে সময়তে সৃষ্টিত হোৱাটোহে বেছি বিশ্বাসযোগ্য।

এই প্ৰশ্নৰাশিৰ লগতে সাধাৰণতে আৰু এটা প্ৰশ্ন উঠে। সাধাৰণতে কিছুমান Bacteria-ৰ বাহিৰে প্ৰাণী জগত কিম্বা উদ্ভিদ জগতৰ কোনো আকাৰেই বাষ্পীয় নাইট্ৰোজেন (gaseous nitrogen) খাদ্য হিচাবে ব্যৱহাৰ কৰিব নোৱাৰে। এই শ্ৰেণীৰ Bacteria-ক nitrogen fixing bacteria বোলে। ইহঁতৰ নাইট্ৰোজেনৰ (nitrogen) পৰা একোটা যৌগিক পদাৰ্থ (nitrogen compound) প্ৰস্তুত কৰিব পৰা ক্ষমতা আছে। কিন্তু অন্যান্য জীৱৰ বা উদ্ভিদৰ এই ক্ষমতা নথকাত সিহঁতে নাইট্ৰোজেনৰ যৌগিক পদাৰ্থ (nitrogen compound) বিলাকৰ ওপৰতহে নিৰ্ভৰ কৰিব লাগে। কিছুমান বৈজ্ঞানিকে nitrogen fixing bacteria-ৰ এই বিশেষ ক্ষমতা থকা হেতুকে সিহঁতকে জীৱ জগতৰ প্ৰাথমিক আকাৰ বুলি বিশ্বাস কৰে। দৰাচলতে বোধ হয় এই বিশ্বাসটো প্ৰাই সম্পূৰ্ণ ভিত্তিহীন। এতিয়া যেনেকৈ সকলো পাৰিপাৰ্শ্বিক অনুকূল অৱস্থাৰ কাৰণে এই নাইট্ৰোজেন (nitrogen) অইন পদাৰ্থৰ লগত লগ লাগি জীৱ আৰু উদ্ভিদ জগতৰ উপযোগী যৌগিক পদাৰ্থ প্ৰস্তুত হব পাৰিছে, পৃথিবীৰ আদিম অৱস্থাতো বোধ হয় এই ৰসায়ণিক প্ৰক্ৰিয়াবিলাকৰ উপযোগী আটাইবিলাক অনুকূল অৱস্থাই আছিল, আৰু সেই অৱস্থাৰ সুযোগত তেতিয়াও সেই যৌগিক পদাৰ্থবিলাক (nitrogen compounds) প্ৰস্তুত হব পাৰিছিল। যদি তেতিয়া এই নাইট্ৰোজেনৰ যৌগিক পদাৰ্থ (nitrogen compounds) প্ৰস্তুত হবৰ উপযোগী শক্তি (energy) নাছিল তেন্তে অন্যান্য জৈৱিক যৌগিক পদাৰ্থ (organic compounds) প্ৰস্তুত হবৰ কাৰণে নো কব পৰা ইমান প্ৰচণ্ড শক্তি (energy) পাইছিল? গতিকে দেখা যায় যে Azotobacter-অৰ দৰে কিছুমান nitrogen fixing bacteria-ক প্ৰাথমিক বুলি ধৰাটো সম্পূৰ্ণ যুক্তিপূৰ্ণ নহয়।

ওপৰত আলোচনা কৰি অহা বৈজ্ঞানিকসকলৰ পৰীক্ষা, গৱেষণা আৰু যুক্তি-তৰ্কবিলাকে আমাক জীৱ জগতৰ এই জটিল ৰহস্যাৱলীৰ বিষয়ে একো খাতাং সমিধান দিব পৰা নাই সঁচা, কিন্তু এই দুৰ্ব্বোধ্য ৰহস্যটোৰ সমাধানত মানৱ মনৰ কিছুমান অজ্ঞতা একোটা বিজ্ঞান-সন্মত অভিমত দি দূৰীভূত কৰিবলৈ বহুতো আগ বাঢ়িছে।

সাধাৰণতে বাহিৰৰ পৰা যিবিলাক আমি অসাধ্য বা কল্পনাতীত বুলি ভাবোঁ, সেই দুৰ্ব্বোধ্য ৰহস্যবিলাক পণ্ডিতসকলৰ কঠোৰ সাধনা, অসীম যত্ন আৰু চিন্তাৰ বলত দিনক দিনে বেছি প্ৰাঞ্জল হৈ যাব ধৰিছে। উদ্ভাৱনা শক্তিসম্পন্ন, প্ৰতিভাশালী, চিন্তাশীল বৈজ্ঞানিকসকলে জগতত একোটা একোটা নতুন তথ্য, নতুন সত্য আবিষ্কাৰ কৰি মানৱ মনৰ অসীম শক্তি সামৰ্থৰ কথাহে প্ৰমাণ কৰিছে।

এই কল্পনা, আশা, উদ্যম আৰু শক্তি লৈয়েই অনুসন্ধিৎসু বৈজ্ঞানিকসকলে নতুন নতুন সত্য আৱিষ্কাৰৰ কাৰণে প্ৰাণ পৰ্য্যন্তও বলিদান কৰিছে। বৈজ্ঞানিক-সকলে তেওঁলোকৰ স্বভাৱজাত কল্পনা আৰু আশা লৈয়ে বিশ্বাস কৰিছে যে কেতিয়াবা তেওঁলোকে জীৱ জগতৰ এই প্ৰাচীনতম্ দুৰ্বোধ্য ৰহস্যটোৰ সত্য আৱিষ্কাৰ কৰিব পাৰিবগৈ। অনুসন্ধানৰত পণ্ডিতসকলে ধীৰে ধীৰে অথচ নিশ্চিতভাৱে এই অনুসন্ধানত বহুতো আগ বাঢ়িছে। তেওঁলোকৰ আশা, যত্ন, পৰিশ্ৰম কেতিয়াবাকৈ সাফল্য লাভ কৰিব বুলি আমি সদায় আশা কৰি থাকিম। পদাৰ্থ আৰু ৰসায়ণ বিজ্ঞানৰ বৰ্ত্তমানে গৃহীত সত্যবিলাকৰ বিষয়ে আগৰ কালৰ পণ্ডিতসকলে অনুমানকে জানো কৰিব পাৰিছিল? বিজ্ঞানৰ শেষ সীমা, চৰম উৎকৰ্ষৰ কথা আজি জানো কোনোবাই অনুমান কৰিব পাৰে? কোনে জানে জ্ঞানৰ গভীৰতাৰ শেষ কত? মানুহৰ কল্পনাশক্তি আৰু উদ্ভাৱনা ক্ষমতা সঁচাকৈয়ে অসীম নহয় নে? বিজ্ঞানৰ জয় হওক।

ছিন্নমস্তা

—শ্ৰীযুত গোবিন্দ ৰাম দাস বি-এ

গল্প—

মঙ্গলদৈ চহৰ। চহৰ নামতহে। চহৰৰ অলপ দূৰৈত মঙ্গলদৈ নদী ধীৰে ধীৰে বৰ লাগিছে। ইয়াৰ মানুহে মঙ্গলদৈ নাম হোৱাৰ অনেক কথা কয়। কোনোবা ৰজাৰ প্ৰিয় মহিষীৰ স্মৃতি ৰক্ষাৰ্থে হেনো এই নাম ৰখা হৈছে। নদী বাৰিষাহে অলপ তেজ ধৰে খৰালি ই ভৰ বৈতৰিণী ফল্গু। ইয়াৰ ওচৰৰ জলাহ ঠাইবোৰত মৈমনসিঙ্গীয়া বঙালৰ বসতি। ইহঁতৰ বস্তিৰ অলপ আঁতৰত এটি ডাঙ্গৰ পুখুৰী আছে। পুখুৰীৰ আধাখিনি পিটনি পৰি ঢাক খাইছে। অসমৰ ৰজাসকলৰ পুখুৰী খন্দা এটা 'চখ' আছিল। সেই কাৰণে সুজলা সুফলা শস্যশ্যামলা অসমত খৰালিত জলকষ্ট নহৈছিল। জোঙাল-বলহৰ দিনত এই পুখুৰী চিত্ৰ বিচিত্ৰ উদ্যানেৰে সুশোভিত কৰি ৰখা হৈছিল। এতিয়া সেই ৰামো নাই অযোধ্যাও নাই। পুখুৰীৰ সোঁ ওপাৰত এটি প্ৰকাণ্ড শিল মাটিত পোত খাই আছে। এই শিলটোক ওচৰৰ মানুহে বৰ ভয় আৰু ভক্তি কৰে। ইয়াক ছিন্নমস্তা বোলে। ছিন্নমস্তাই হেনো ইয়াতে আবিৰ্ভাৱহৈ পূজা খায়। ছিন্নমস্তা কালী তাৰা, ভৈৰবী, ধুমাৱতী, বগলা, ষোড়শী, কমলা আদি দশমহাবিদ্যাৰ এক বিদ্যা। এওঁৰ মূৰ নাই। এওঁ বৰ উগ্ৰদেৱী। খঙৰ বেগত ৰব নোৱাৰি নিজৰ মূৰ নিজে কাটি নিজৰ তেজ পান কৰে আৰু ডাকিনী যোগিনীকো পান কৰায়। যদিও শক্তি সাধক সকলে কুণ্ডলিনী শক্তিৰ অমৃত ধাৰা বিগলিত হৈ ক্ষৰিত সুধা ভাগ্যৱান সাধকৰ ইৰা, পিঙ্গলা সুষুমা নাড়ীত সঞ্চাৰিত কৰি অমৰত্ব লাভ কৰা কথাক বুজায় তথাপি সাধাৰণৰ পক্ষে দেৱীৰ মূৰ্ত্তি দেখিলেই চুৰ্ত্তি হেৰায়।

এই অঞ্চলত শক্তি পূজাৰ প্ৰাবল্য গতিকেই আজিও ইয়াত পূজা পাতল চলে। শক্তি পূজাৰীৰ ভিতৰত চুটীয়া, দেউৰী আৰু গণক অগ্ৰগণী। গণক বামুনৰ শাৰীৰেই লোক। এই ফালে পাঁচবিধ গণকৰ বসতি দেখা যায়। ৰাজগণক, দেউৰী গণক, বিয়াগণক, নটোৱা গণক আৰু বিলাতী গণক। এওঁলোকৰ স্বভাৱ মুকলি মূৰীয়া। অৱস্থাপন্ন বিলাকৰ মাজত দেওধনী বা মাৰৈ পূজা বঙালীৰ দুৰ্গাপূজাৰ দৰে জাতীয় উৎসৱ। অপায় হলে ইষ্টদেৱতালৈ এইপূজা এভাগ আগবঢ়ায়। দেওধনী নাচনীৰ ভবিষ্যদ্বাণী গ্ৰীচ আৰু ৰোমৰ 'অৰেকলৰ' দৰে মানি লয়। তেতিয়া অবাৰিত পশুৰক্তেৰে দেৱীৰ তৰ্পণ কাম সমাধা হয়। নাচনত ভাগৰ লাগি যেতিয়া দেওধনী জনীৰ মুখেৰে ফেন ওলাই পৰি যায় তেতিয়া তাই প্ৰলাপ বলকে। তেতিয়া পূজাকৰ্ত্তাই আই গোসাঁনী বুলি সমাদৰে প্ৰশ্ন কৰে। প্ৰখ্যাত ফ্ৰেডাৰিক মেসমাৰৰ 'মেসমেৰিজিম্‌ত' অভিভূত মানুহৰ দৰে আহোমৰ মঙ্গলচোৱা দেউৰীৰ দৰে উত্তৰ দিয়ে। কাকো পৰে তালো সৰে। কেতিয়াবা দুই এটা মিলে। ইয়াতেই স্তম্ভিত হৈ দেওধাইৰ উপাসক সকলে অনেক জঘণ্য নৃশংস কাণ্ডও কৰে। দেওধাই তিৰোতা ভয় আৰু ভক্তিৰ পাত্ৰ। অযথা আচৰণ কৰিলেও তাই গিৰীয়েকৰ দয়াৰ পৰা মুক্ত। কেতিয়াবা তন্দ্ৰা বেছি হলে 'মেসমেৰাইজড' মানুহৰ দৰে পঞ্চত্ব প্ৰাপ্ত হয়। তেতিয়া কুমন্ত্ৰ কৰি মৰা বুলি ধৰা হয়। মঙ্গলদৈ মহকুমাৰ বেছি ভাগেই জলাহ অটব্য হাবি বননিৰে ভৰা। সেইকাৰণে বহু মানুহক সাপে খাই মাৰে। সাপৰ পৰা নিৰ্ভয় পাবৰ অৰ্থে সৰ্পদেৱী মনসাৰ আশ্ৰয় লয়। বিষাল সাপৰ কামোৰত যেতিয়া মনসা ভক্তৰ প্ৰাণবায়ু বাহিৰ হয় তেতিয়া দেৱীৰ দোষ লাগিল বুলি মনক শান্ত্বনা দিয়ে।

এই চহৰৰ ওচৰৰ গাওঁ এখনত কালভদ্ৰ গণকৰ ঘৰ। গাওঁৰ ভিতৰত প্ৰতাপী আৰু অৱস্থাপন্ন কুচক্ৰী এৱেঁই। বৰণ কিচকিচীয়া কলা। লেঙলেঙীয়া দীঘল, পেট ওলোমা

হাতভৰি চিচা পৰা, মূৰত দীঘল কুট্‌ৰা কুটুৰি চুলি। কপালত সিন্দুৰৰ ফোট, গলত ৰুদ্ৰাক্ষৰ মালা। গাল উখহা, টেমিগাল। ঘোৰ শাক্ত, দ্বিতীয় নন্দি-ভৃঙ্গি। দুজন ডাঙ্গৰ লৰা; এজনে বিয়া কৰোৱাৰ আজি ৪ বছৰ হল। তেওঁৰ লৰা ছোৱালী নাই। দ্বিতীয় জনৰ বোৱাৰী ঘৰলৈ আহিবৰ বেছিদিন হোৱা নাই। ডাঙ্গৰ জন লৰাৰ নাম বজ্ৰানন্দ আৰু সৰুটিৰ নাম শিৱানন্দ। শিৱানন্দ ধেমেলীয়া, অমায়িক আৰু ঈশ্বৰ নমনা বিধৰ লোক। আধুনিক শিক্ষা হিচাবে মধ্য ইংৰাজী স্কুল পাছ কৰিছে। অল্পবিদ্যা ভয়ঙ্কৰী হলেও তাৰ প্ৰভাৱ শিৱানন্দৰ গাত নাছিল। কুমন্ত্ৰ আৰু অবাবত পশুহত্যা আদিলৈ অশ্ৰদ্ধাৰ কাৰণেই তাৰ বাপেক আৰু ভায়েকৰ লগত তিমান মিল নাই। ওমৰ খৈয়ামৰ দৰে খোৱা পিয়া, স্ফূৰ্ত্তি কৰা, এয়েই তাৰ প্ৰধান আদৰ্শ। ধৰ্ম্মাধৰ্ম্মৰ লগত তাৰ সম্বন্ধ নাই। সেই কাৰণে সি সকলোৰে প্ৰিয়। জনহিতকৰ কামত সি আগে জাপ দিয়ে। দুবছৰ বিবাহিত জীৱনৰ ফলত শিৱানন্দৰ এটি সুকুমাৰ সন্তান লাভ হল! লাহে লাহে শিশুৰ এবছৰ পূৰ হল। পিতৃমাতৃৰ আনন্দ বঢ়াই তাৰ অফুৰন্ত হাঁহিৰে সি সকলোকে আপ্যায়িত কৰি তুলিলে। দৈবজ্ঞৰ গণনা মতে লৰাৰ অকাল মৃত্যুৰ যোগ আছে। মাকে সেই কাৰণেই দহবন পাছ কৰিও লৰাটিতে ব্যস্ত। কিন্তু বজ্ৰানন্দৰ ঘৈনীয়েক ভীমানীৰ আজিলৈ লৰা-ছোৱালী নোহোৱাত এনেয়ে মনত দুখ, তাৰ বাহিৰেও ১৪ মাহ মান হল তাইৰ প্ৰসৱ হোৱা নাই। কালভদ্ৰই বৰবেটাৰ বৰপুত্ৰৰ আশাত পূজা পাতল একো বাকী নেৰিলে। শিৱানন্দই এইবোৰলৈ একেবাৰে উদাসীন। সি মাধুৰীক প্ৰবোধ দি দেশ চোৱা আৰু তীৰ্থ যাত্ৰা দুয়ো উদ্দেশ্য লৈ পশ্চিমলৈ গল। মাধুৰী শিক্ষিতা সৰল আৰু ভেম ৰাগ নোহোৱা তিৰোতা। ভীমানী হলে দাহুৰীয়া, কঠুৱা, অভিমানী আৰু পৰসুখ অসহিষ্ণু।

সন্তানৰ ঈৰ্ষাগ্নিত দগ্ধ হৈ এদিন তাই বিচনাত চাটিফুটি কৰি আছে। এনেতে তাইৰ তন্দ্ৰা আহিল। সপোনত কুলদেৱতাই তাইক এখন অজান দেশলৈ লৈ গল। দুয়ো ফালে পাহাৰ। পাহাৰৰ উপৰি পাহাৰ। তাৰ মাজতে এটি দুৰ্গম গিৰিসঙ্কট। গিৰিসঙ্কটৰ অন্তৰ্বৰ্ত্তী ঠাইত এটি অতলস্পৰ্শী গুহা। গুহাৰ ওচৰত থিয় পাহাৰৰ পৰা অজস্ৰ ধাৰে এটি নিজৰা বৈ গৈছে। কিন্তু কি আশ্চৰ্য্য, ই সেই নিদাঘ তপ্ত প্ৰাণজুৰোৱা পৰ্ব্বত জীয়াৰী নহয়; পুতি গন্ধময় পৰ্য্যুসিত গলিত তেজ মাংসৰ প্ৰবাহধাৰা। গুহাৰ ভালেখিনি আঁতৰত ঘোপমৰা এন্ধাৰৰ মাজত এটি বস্তি মিট মিট কৈ জ্বলিব লাগিছে। বস্তিৰ ওচৰ পাই দেখে যে এটি ৰক্তকুণ্ড। কুণ্ডৰ ওপৰত অসংখ্য মানুহৰ হাড় মূৰ ওপঙি আছে। কুণ্ডৰ দক্ষিণে প্ৰলয় নৰকাগ্নি স্বৰূপ আগ্নেয়গিৰি দাউ দাউ কৰি জ্বলি আছে। তাৰ বাওঁ ফালে এটি মন্দিৰ। মন্দিৰ সোমাই দেখে সেই ভীষণা, লোলৰসনা ভীমা ভৈৰবী সংহাৰ কাৰিণী ক্ৰোধাগ্নি স্বৰূপা ছিন্নমস্তা! খিল্ খিল্ অট্ট হাঁহি! লাস্য নৃত্য পৰিহৰি নিজ ৰক্ত পান কৰি উন্মত্তৰাগে তাণ্ডৱ নৃত্যত বিভোৰা। সৰ্ব্বাঙ্গ ৰুধিৰ ধাৰে বিভূষিতা। নৃত্যৰতা ডাকিনী যোগিনীদ্বয়ে উৰ্দ্ধমুখে দেৱীৰ ৰক্ত পান কৰি ৰক্ত ৰক্ত ৰবে চতুৰ্দ্দিক প্ৰতিধ্বনিত কৰি তুলিছে। ভয় আৰু আতঙ্কত তাই দেৱীৰ চৰণত উবুৰি হৈ পৰিল। দেৱতাই তাইৰ মনোবাঞ্ছা বুজি যেন মাত লগালে,—'ৰক্ত, ৰক্ত, বলি বলি—নিখুঁত বলি! শিশু বলি!! নহলে ৰক্ষা নাই!' এনেতে তাই চকমককৈ সাৰ পালে। সাৰ পাই বহুত সময় গুণি গাঠি গিৰীয়েকক কলে। গিৰীয়েকে কালভদ্ৰক সকলো বিৱৰণ ভাঙি কলে। "ওঁ বুজিছোঁ; দেৱীয়ে মোৰ মন চাইছে। আই দয়া কৰা আই, তোমাৰ বাঞ্ছা পূৰ্ণ হওক। শিশু বলি! নিখুঁত!! ক'ত পাওঁ?" এই দৰে কৈ সি তাৰ তামসিক ধ্যানত তন্ময় হল।

ঘৰৰ ওচৰত এটি বিধবাৰ ঘৰ, বিধবাৰ মাথোন এটি ডেৰ বছৰীয়া শিশু। সেই সন্তান হোৱাৰ কেইমাহমান পিছতেই ১৯২৫ চনত সংক্ৰামক জহনীয়ে দেখা দিয়ে। সিহঁতক অনাথ কৰি থৈ গিৰীয়েক জহনী ৰাক্ষসীৰ কৰাল গ্ৰাসত পৰে। জহনী, মেলেৰীয়া, কলাজ্বৰ, বসন্ত আদি পৰাধীন দেশৰ দৰিদ্ৰতা নৰকত পচি থকা লোকৰ মুক্তিৰ সহজ উপায়।

ইহঁতে তিল তিলকৈ মৰিব নিদি জীয়াই মাৰে। গতিকে ৰজা প্ৰজা সকলোৱে ইহঁতক ভয় আৰু ভক্তি কৰে। দৈৱশক্তিৰ ওপৰত দোহাই দি ইহঁতৰ বিৰুদ্ধে অভিমান কৰাটো অনুচিত বুলি ভাবে। সেই লৰাটিকে বুকুত বান্ধি তাই তাইৰ সুদীৰ্ঘ যৌবনৰ লাহ বিলাহ পাহৰি গৈছে। শিবানন্দৰ লৰাৰ লগত অনেক সাদৃশ্য থকাত মাধুৰীয়েও মৰমতে পৰি মৰে। তাই কালভদ্ৰইঁতৰ অজ্ঞাতে বিধবাক ই সি দি সহায় কৰে।

চতুৰ্দ্দশীৰ ৰাতি, ঘোৰ অন্ধকাৰ। জগত নিতাল। দুৱাৰত ঘট ঘট শব্দ। বিধবা ভয়ত আকুল। দুৱাৰৰ গাঠি কাটি হাতত জোৰা লৈ দং দং কৰে চাৰিজন মানুহ মজিয়াত উপস্থিত। এজনৰ হাতত সেই বলি কটা তিখাল খৰগ আৰু দুজনৰ হাতত লাঠি। সিহঁতৰ চেহেৰা দেখিলেই অন্তৰ কঁপি উঠে। তাতে আকৌ ৰাতি অবলা তিৰোতা "কমলা উঠ।" বিধবা বিস্ময় হৈ, "গণক বাপু, আপুনি ইমান ৰাতি কিয় আহিছে? দুৱাৰ ভাঙি বিধবাৰ ওপৰত অত্যাচাৰ কৰে কিয়?" কালভদ্ৰই মূৰ জোকাৰি "অত্যাচাৰ সচাঁ কথা, কিয় আহিছোঁ নুসুধিলেও হব। তোৰ লৰাটোক দে" "মোৰ লৰা কি কৰে?" "দেবীৰ আজ্ঞা তাক আজি ৰাতিয়েই বলি দিব লাগে।" "ওহো, তাক নেমাৰিব মোক বলি দিয়ক দেবী সন্তুষ্ট হব।" "দে—দে কথা শুনিব অহা নাই।" "নিদিওঁ; প্ৰাণ থাকে মানে নিদিওঁ" "খেদেলা তেলীয়া তাইক খুটাত বান্ধ, কেনেকৈ নিদিয়ে চাওঁ।" এই বুলি বুকুৰ মাজৰ পৰা লৰাটিক আজুৰি আনি তাইক খুটাত বান্ধি থৈ গুছি গল। চাৰিও ফালে এৰাবাৰীৰ মাজত বিধবাৰ ঘৰ। গেৰি মাৰিলেও নুশুনি। মণি-হাৰা ফণী। বিধবাই হিয়া ঢাকুৰি কান্দিব ধৰিলে। তাইৰ কান্দোনৰেই বা কি মূল্য? যোগ্য ভোগ্য বসুন্ধৰা।

* * * * *

শিবানন্দৰ দুখৰ মাজতো সুখ মহানন্দক লৈ। তাৰ অকালন অৱস্থাত তাক আৰু দিপালী নামেৰে এজনী কন্যা এৰি মাধুৰী স্বৰ্গী হয়। দিপালী নামত যেনে ৰূপতো তেনে দীপালী। সতীয়া মাকৰ পৰা কষ্ট পাব ভাবি বাপেকে মহানন্দক গুৱাহাটীত থৈ দিছে। মহানন্দ এতিয়া গুৱাহাটী হাই স্কুলত পঢ়ে, সি ক্লাছ নাইনৰ এজন চোকাবুদ্ধিৰ লৰা। এদিন গধূলি ফুৰি ফুৰি ভৰলু নৈৰ মুখত শ্মশানৰ ওচৰত এজনী পাগলী দেখা পালে। দুখত মলিন হলেও পাগলীক দেখি তাৰ কৌতুহল জন্মিল। পাগলীয়ে বকি বকি শ্মশানত সোমালগৈ। সিও পাগলীৰ পাছ ললে। পাগলী ডেকা লৰাটোৰ এনে ভাব দেখি আচৰিত হল। শেহত দুয়োৰে ভিতৰত কথাবাৰ্ত্তা চলিল। হঠাত পাগলীয়ে কলে—"হায় মোৰ লৰাটি থাকিলহেঁতেন যদি।" "তোমাৰ লৰা আছে?" "আছিল। নাই" "আছিল আৰু নাইৰ অৰ্থ কি?" "অৰ্থ বহুত সেইবাবেহে মই পাগলী।" "তোমাৰ অতীত কাহিনী?" "মোৰ জীৱন পবিত্ৰ ভাবেই গৈছে। মই পগলা ভাবিব পাৰা, আনেও ভাবে।" "নাভাবোঁ। বাৰু কোৱাচোন।"

"শুনা; মোৰ ঘৰ মঙ্গলদৈৰ কালভদ্ৰ গণকৰ ওচৰত। বিবাহিত জীৱনৰ মাধুৰ্য্য শেষ নহওঁতেই এই হতভাগিনীক স্বামীয়ে শোক তাপত পুৰি মৰিবলৈ এৰি যায়। তেতিয়া মোৰ ধৈৰ্য্য সম্বল একমাত্ৰ শিশু এটি। তাক যে কিমান ভাল পাইছিলোঁ। তাৰ কাৰণে মৃত স্বামীৰো শোক পাহৰিলো। তাক ডেৰ বছৰ বয়সত নিলে।" "কোনে নিলে?" "যাৰ জন আছে যাৰ ধন আছে সেয়ে। কালভদ্ৰই মোৰ বুকুৰ মাজৰ পৰা প্ৰাণৰ পুতলি কাঢ়ি নি ছিন্নমস্তাক বলি দিলে। তাকো কৰি নেৰিলে—মই কান্দি কান্দি তাৰ ভৰি ধুৱাই পেলালো। কিন্তু সকলো মিছা হল। নিয়তিৰ কলা ঢাকনীয়ে মোৰ ভবিষ্যত তেনেই ঢাকি পেলালে। পুলিচত গোচৰ দিলে কি হব? চেচনকেচ হল, গুৱাহাটীলৈ চালান দিলে। ধনৰ বশ সকলো। সাক্ষীৰ অভাবত উল্টা প্ৰমাণ হল। জজে কথা শুনি নিজেও চকুৰ পানী মচিলে। সিহঁত খালাচ হল, মই তেতিয়াৰ পৰা ইয়াতে। বিধবা পাগলিনী শ্মশানবাসিনী।"

পাগলীৰ করুণ কাহিনী শুনি মহানন্দই শৰীৰত বিজুলী সঞ্চাৰ হোৱাৰ দৰে কিছু সময় নিস্তব্ধ হৈ থাকি

মাত লগালে,—"তোমাৰ লৰাৰ নাম বিমল নহয় নে।" "হয়। তুমি কেনেকৈ জানিলা?" "বাৰু পিছত কম, তুমি মোৰ প্ৰশ্নৰ উত্তৰ দি যোৱা।" "তাৰ গলত কমলা নাম থকা এটি ধুকধুকি আছিল নহয় নে?" 'ওঁ'। পাগলী আচৰিত হল। "তাৰ সোঁ বাহুৰ ওপৰত এটি পদুমৰ পাত আছে নহয় নে" এই বুলি তাৰ বাহুৰ ওপৰত থকা সেই চিনটো দেখুৱাই আৰু ধুকধুকিটো জেপৰ পৰা উলিয়াই আগত ধৰিলে। "বিমল! বিমল! তুমি আকৌ মোক প্ৰতাৰণা কৰিবলৈ সৰগৰ পৰা নামি আহিছা। তুমি সঁচা মানুহ নে?" "এৰা আই তোমাৰ হতভাগা বিমল।" পাগলীয়ে আত্মহাৰা হৈ মহানন্দক সাবটি ধৰি পাৰে মানে চুমা খালে। দুয়ো বহুত সময় নিস্তব্ধ হৈ থাকিল। "আই আই পাগলিনী—ভিখাৰিণী আই, তোমাৰ প্ৰকৃত বিমল মই। আজি একমাহ আপোনাৰ ৰেহৰূপ চাই আজি চিনি পালোঁ।" "কোন দেৱতাই তোক ৰক্ষা কৰিলে বাচা?" "এদিন সকলো কথা কম আই।"

* * * *

মানুহে যেতিয়া আনক আঘাত দিয়ে তেতিয়া সি কণা। সি নাজানে সেই আঘাতৰ প্ৰতিঘাত কত প্ৰতিফলিত হব। স্বাৰ্থই তাক মোহাচ্ছন্ন কৰে। সি অতীত আৰু বৰ্ত্তমান লৈয়েই ব্যস্ত। কিন্তু ইয়াৰ তৰঙ্গ যে ভবিষ্যতে মূৰ্ত্ত হৈ উঠি তাৰ সুখৰ সপোন, কল্পনা কুসুম ধূলিস্যাৎ কৰি পেলায় তাক সি মায়াৰ মদিৰাত মুগ্ধ হৈ দেখিও নেদেখে। কালভদ্ৰই এতিয়াও নাজানে যে তাৰ ইষ্টদেৱী ছিন্নমস্তাই কেনেকৈ সেই নিঃসহায় বালকক ৰক্ষা কৰিলে। সি কেৱল ধন জন লৈয়েই ব্যস্ত। দৈৱশক্তিয়ে যে তাক অতৰ্কিত ভাবে ছলনা কৰিলে তাৰ সি গমকে নাপালে।

মাধুৰীৰ এখন প্ৰকাণ্ড ফটো ফুলেৰে সজাই আগত থৈ, বিমলে কলে—"আহাঁ আই দুয়ো একলগে ছিন্নমস্তাক পূজা কৰোঁ।" কমলাই বৰ ব্যগ্ৰভাবে "এইয়া সৌ মাধুৰীৰ ছবি" "এৰা আই, এৱেঁই প্ৰাণদাত্ৰী ছিন্নমস্তা। ছিন্নমস্তাক মানুহে ভুল বুজে। ছিন্নমস্তাই বলি নলয়। বলি দিয়ে। উদণ্ড খঙত অধীৰ হৈও নিজৰ ৰক্তেৰে পৰক সন্তুষ্ট কৰিছিল। সৌ জ্ঞানদাত্ৰী প্ৰাণদাত্ৰী ছিন্নমস্তাক সদায় পূজা কৰোঁ। মই সদায় তেওঁৰ চৰণত ফুল দিওঁ।"

"শুনা আই, যি দিনা নাৰকী কালভদ্ৰই মোক আপোনাৰ বুকুৰ মাজৰ পৰা আজুৰি লৈ আহে তেতিয়া মাধুৰী জননীয়ে গম পায়। মোক বাহিৰত শুৱাই থৈ সিহঁতে পূজাৰ উপকৰণ যোগাৰ কৰে। এই অৱসৰ লৈ মাধুৰীয়ে তেওঁৰ নিজৰ লৰাটি থৈ মোক ৰক্ষা কৰে। আই পাৰিব নে এনে ত্যাগ কৰিব। মই সৰুৰে পৰা তেওঁকেই মাতৃ বুলি ভাবিছিলোঁ আৰু এতিয়াও ভাবোঁ। মৰিবৰ সময়ত সেই মাতৃমূৰ্ত্তিয়ে এই দগদোগিটো মোক দি চকুলো টুকি টুকি সকলো বৃত্তান্ত কয়। মৃত জননীৰ আদেশ মতে এই কথা আজিহে ব্যক্ত কৰিলোঁ। কোৱাঁ আই কিহেৰে সেই মাতৃঋণ পৰিশোধ হব?" কিহেৰে তেনে ঋণ পৰিশোধ কৰিবা? বুজিছোঁ মাধুৰীয়ে মাতৃত্বৰ মহত্ব প্ৰকাশ কৰি গল। ত্যাগৰ দ্বাৰা প্ৰেমৰ বিজয় মন্ত্ৰ ঘোষণা কৰিলে।" এই বুলি দুয়োৱে ফটোৰ ওচৰত প্ৰণাম কৰে।



গীতিকবি ৰামনাৰায়ণ

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

"ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ আছিল নে ?" নামৰ প্ৰবন্ধত চমুকৈ এইজনা কবিৰ চিনাকি আমি দি আহিছোঁ। 'কবিৰাজ চক্ৰবৰ্ত্তী' এই উপাধিৰেহে যে তেখেত বেচিকৈ জনাজাত তাকো তাতে উল্লেখ কৰা হৈছে। এই প্ৰবন্ধত তেখেতৰ বিষয়ে অলপ বহলাই আলোচনা কৰিবলৈ আগ বাঢ়িলোঁ।

প্ৰসিদ্ধ পণ্ডিত সদাবৰৰ বংশত ৰামনাৰায়ণৰ জন্ম হয়। সম্ভৱতঃ উত্তৰ লক্ষীমপুৰেই তেখেতৰ জন্মভূমি হব পায়। এওঁৰ দেউতাকৰ নাম ৰামানন্দ শৰ্ম্মা। ৰামানন্দ শৰ্ম্মাৰ পাণ্ডিত্যত সন্তুষ্ট হৈ ৰামধ্বজ সিংহ ৰজাই তেওঁক "সৰস্বতি" উপাধি দিছিল। ৰামনাৰায়ণে তেওঁৰ আত্মচৰিত্ৰত লিখি গৈছে :—

"ৰামানন্দ নামে ভৈল তাহান সন্ততি।
যিটো গুণৱন্ত সদাচাৰী মহামতি॥
যাহাৰ গুণত জয়ধ্বজ (?) নৰপতি
তুষ্ট হুয়া দিলা নাম তাঙ্ক সৰস্বতি॥"

—শকুন্তলা কাব্য

ৰামধ্বজৰ * ঠাইত জয়ধ্বজ লিপিকাৰৰ ভুলতে হৈছে। আমি ওপৰত উনুকিয়া প্ৰবন্ধত যি বংশ-পৰিচয় তুলি দিছিলোঁ তাত তলত দিয়া বংশলতা পাওঁ।

সদাবৰ
|
চতুৰ্ভুজ
|
বাসুদেৱ
|
পৰমানন্দ (উদয়াদিত্যৰ দিনত)
|
পৰমানন্দ (উদয়াদিত্যৰ দিনত)
|
ৰামানন্দ (*জয়ধ্বজ সিংহৰ দিনত ?)
|
ৰামনাৰায়ণ (ৰুদ্ৰসিংহৰ দিনত)

উত্তৰ লক্ষীমপুৰতে ৰুদ্ৰসিংহই ৰামনাৰায়ণক তামৰ ফলিত মাৰি মাটি দান দিয়াৰ কথা আগৰ প্ৰবন্ধতে উনুকিয়াই আহিছোঁ। উত্তৰ লক্ষীমপুৰত তেওঁৰ বংশধৰ-সকলে আজিলৈকে বসতি কৰি আছে। আমি জনাত ঘাৰমৰা সত্ৰৰ অধিকাৰ গোস্বামী এওঁৰেই এজন বংশধৰ।

গুণী পুৰুষ ৰামানন্দ পণ্ডিতৰ পুতেক ৰামনাৰায়ণ শৰ্ম্মা সময়ত এজন অগাধ পণ্ডিত হৈ উঠে আৰু তেওঁৰ পাণ্ডিত্যৰ যশ কেউফালে বিয়পি পৰাত ৰুদ্ৰসিংহ ৰজাৰ তেওঁৰ ওপৰত চকু পৰে আৰু পৰিণামত ৰামনাৰায়ণে লক্ষীমপুৰ এৰি অসমৰ ৰাজধানী ৰংপুৰ নগৰলৈ আহি ৰাজসভাৰ শোভা বঢ়াব লগাত পৰে। ৰাজকবি হোৱাৰ উপৰিও তেওঁৰ যে ৰজাৰ শিক্ষা-গুৰু হোৱাৰ সৌভাগ্য হৈছিল তাৰ পুনৰুল্লেখ ইয়াত নিষ্প্ৰয়োজন। শকুন্তলা কাব্য, 'শঙ্খচুৰ বধ' নাটক, জয়দেৱৰ প্ৰসিদ্ধ 'গীত-গোবিন্দ'ৰ অসমীয়া ভাঙনী আৰু কৃষ্ণজন্ম খণ্ড "ব্ৰহ্ম বৈবৰ্ত্ত পুৰাণ" তেওঁ অসমীয়ালৈ এৰি থৈ গৈছে। ইয়াৰ বাহিৰেও তেখেতে লেখত লব লগীয়া কেতবোৰ গানো ৰচিছিল। তেওঁ ৰচা ছবিবোৰৰ মাজত একমাত্ৰ 'শকুন্তলা' কাব্যখনিয়েহে আজিলৈকে পোহৰৰ মুখ দেখিছে।

আউনিআটী সত্ৰৰ পুথি-ভৰালত থকা "গীতৰ পুথি" নামৰ পুৰণি অসমীয়া গীতিকবিসকলৰ গীতৰ বাছনি এখনত ৰামনাৰায়ণে ৰচা তিনিকুৰি ছটা গীত আছে।

* অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱে এই লেখকক আঙুলিয়াই দিছে।

* কবিৰাজ চক্ৰবৰ্ত্তী ৰচিত "শকুন্তলা" পদ। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি-এ বি-টি দেৱৰ পাতনিৰে সৈতে ৺ দুৰ্গাধৰ বৰকটকীৰ দ্বাৰা প্ৰকাশিত।

"গীতৰ পুথি" বছা বছা গীতৰ সমষ্টি যেতিয়া ৰামনাৰায়ণে মাথোন এই কেটা গীতহে ৰচিছিল বুলি ঠাৱৰোৱাটো জকল ভুলৰ ঘৰৰ কথাহে হব। আমাৰ দৃঢ়বিশ্বাস যে ৰামনাৰায়ণে ৰচা আৰু ভালেমান গীতে এতিয়াও অনুসন্ধানকাৰীলৈ অসমাৰ চুকে-কোণে কৰবাত বাট চাই আছে। ৰামনাৰায়ণ আৰু তেওঁৰ সমসাময়িক, পূৰ্ব্ববৰ্ত্তী আৰু পৰবৰ্ত্তী গীতি-কবিসকলৰ গীত সমূহৰ উদ্ধাৰ, প্ৰকাশ আৰু আলোচনাই পুৰণি অসমীয়া গীতি সাহিত্যৰ বুৰঞ্জীৰ বহুমূলীয়া সমল হব। "গীতৰ পুথি" এতে দিনে কামৰূপ অনুসন্ধান সমিতিৰ পুথি-ভৰালত আছিল, পিছে অলপতে আউনিআটীয়া সত্ৰাধিকাৰ গোস্বামী গুৱাহাটীলৈ আহোঁতে পুথিখন ওলোটাই লৈ গৈছে। সম্প্ৰতি এই গ্ৰন্থৰ নকল এটিও উক্ত সমিতিৰ পুথি-ভৰালত নাই।

ৰুদ্ৰসিংহৰ অনুৰোধত ৰামনাৰায়ণে গীতগোবিন্দ "গীতগোবিন্দ" অসমীয়ালৈ ভাঙে। এই ভাঙনীৰ পাতনিত কবিয়ে কৈ গৈছে—

"গুণৰ মন্দিৰ পৰম ৰুচিৰ
ৰুদ্ৰসিংহ মহামতি
দুৰ্জ্জন-শমন সভাৰ ৰঞ্জন
অনাথ সবাৰ গতি॥
হেন নৰপতি দিলা অনুমতি
ইতো পদ নিবন্ধনে।
তান আজ্ঞা বাণি শিৰোগত মানি
ৰচিলোঁ পদ যতনে॥"

অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত থকা অসমীয়া গীতগোবিন্দখনি ধুনীয়া ধুনীয়া ছবিৰে ভৰপূৰ। ১৬৯৬=১৭১৪ খ্ৰীষ্টাব্দৰ ভিতৰতে অৰ্থাৎ ৰুদ্ৰসিংহৰ ৰাজত্বৰ কালতে এই পুথি ৰচা হৈছিল বুলি সাহিত্যিক ৺হেমচন্দ্ৰ গোস্বামী দেৱে অনুমান কৰে। যদি এইখন পুথি (অৰ্থাৎ গ্ৰন্থাগাৰত থকা পুথিখন) এই সময়তে লিখাটো সঁচা হয় তেনে তাত থকা ছবিবোৰ সপ্তদশ শতাব্দীৰ অসমীয়া চিত্ৰকলাৰ নিদৰ্শন। গোস্বামী দেৱে কোৱা মতে "হস্তী বিদ্যাৰ্ণৱ"ৰ ছবিবোৰৰ সৈতে "গীতগোবিন্দ'ৰ ছবিবোৰৰ ৰিজনি নুশুৱায় যদিও আমাৰ মতে হলে এই ছবিবোৰে সেই সময়ৰ অসমীয়া চিত্ৰকলা চৰ্চ্চাৰ বুৰঞ্জীত জিলিকনি নেপেলোৱাকৈ নাথাকিব। তেখেতেও স্বীকাৰ কৰি গৈছে—"It must however be noted that these pictures in water colours though some two hundred years old, have retained its brilliancy up to the present time." (১) ইয়ো অসমীয়া চিত্ৰকৰৰ কৃতিত্বহে বখানে।

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ কৃষ্ণজন্ম খণ্ডৰ পুথিত ৰচোঁতাই লিখি থৈ গৈছে—

হেন শিৱ সিংহ ৰজা প্ৰথম ঈশ্বৰী
মানুষ লোকত যেন শিৱ মহেশ্বৰী
তাহান আদেশ মালা শিৰোগত কৰি
কবিৰাজ চক্ৰবৰ্ত্তী মতি অনুসৰি॥
পুৰাণৰ শ্ৰেষ্ঠ ব্ৰহ্ম বৈবৰ্ত্ত পুৰাণ।
কৃষ্ণজন্ম খণ্ড তাতে পৰম শোভন"

—ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ (কৃষ্ণজন্ম খণ্ড)

লিপিকাৰৰ প্ৰমাদৰ পৰা এই কেশাৰী পদ যদি মুক্ত তেনে শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ অনুৰোধত কবিয়ে এই পুৰাণৰ ভাঙনীৰে আমাৰ সাহিত্য-ভৰাল চহকী কৰি গৈছে। এই ১৭১০—১৭৪৪ খ্ৰীষ্টাব্দৰ ভিতৰতে শিৱসিংহৰ ৰাজত্বৰ দিনতে ৰচা হৈছিল। এইজনা ৰজা আৰু ৰাজ-মহিষীৰ অনুৰোধতেই তেখেতৰ লিখনিৰ পৰা আমি 'শঙ্খচুৰ বধ' নামেৰে নাটক এখনি আজি পাইছোঁহঁক। কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত আৰু হেমচন্দ্ৰ গোস্বামী দেৱৰ সংগ্ৰহতো এই নাটকখন নাই। অধ্যাপক ভূঞাদেৱে সিদিনা অলপতে মাত্ৰ এই নাটখনি সংগ্ৰহ কৰি আনিছে। "আৱাহনৰ" পাঠক-সকলক সময়ত এই নাটখনিৰে চিনাকি কৰি দিবৰ হাবিয়াস থাকিল।

বৈবৰ্ত্তপুৰাণ

শঙ্খচুৰবধ নাটক

(১) 'Descriptive catalogue of the Assamese manuscripts' by H. C. Goswami, published by the University of Calcutta with a preface by S. K. Bhuyan M.A, B.L.

শকুন্তলা কাব্য

ৰামনাৰায়ণ ৰচিত শকুন্তলা কাব্যৰ সজুলি মহাভাৰত আৰু মহাকবিৰ অভিজ্ঞান শকুন্তলম্ এই দুয়োখন কিতাপেই। এই কাব্যত থকা চন্দ্ৰকেতুৰ আখ্যান নামৰ এটা সাধু কবিৰ কল্পনাৰ সৃষ্টি। এই কাব্যত দিয়া আত্ম-চৰিত্ৰ ৰুদ্ৰসিংহ ৰজা যে নিৰক্ষৰ নাছিল এই কথা প্ৰমাণ কৰা কাৰ্য্যত আমাৰ কেনে সহায়ত আহিছে আকৌ দুনাই ইয়াত উনুকিয়াটো অপ্ৰাসঙ্গিকহে হব।

ৰামনাৰায়ণ অকল যে এজন গীতি-কবি আৰু সংস্কৃত-বিদ আছিল এনে নহয়, জ্যোতিষতো তেওঁৰ দখল আছিল। "ভাস্বতি" নামেৰে জ্যোতিষগ্ৰন্থ এখনিৰ ভাঙনীও তেওঁ কৰি গৈছে। ৺হেমচন্দ্ৰ গোস্বামীয়ে (Decriptive catalogue অত এই জাতিৰ গ্ৰন্থৰ ভাঙনী কৰোঁতা আৰু

ভাস্বতি

ৰামনাৰায়ণ যে একেজন মানুহেই এই কথা ঠাৱৰাব পৰা নাই আৰু সেই দেখিয়েই এওঁ (জ্যোতিষ ভাঙোতা) কোনোবা এজন ডাক সৰস্বতীৰ পুতেক আছিল বুলি কৈ থৈছে।* লিপিকাৰৰ প্ৰমাদত যেনেকৈ ৰামধ্বজৰ ঠাইত জয়ধ্বজ হৈছিল ঠিক তেনে-কৈয়েই "তুষ্ট হুয়া দিলা নাম তাক সৰস্বতি"ৰ ঠাইত "ডাক সৰস্বতি" হোৱাই ইয়াৰ কাৰণ।

ৰামনাৰায়ণৰ লিখনিৰ পৰা ওলোৱা গানবিলাকৰ মাজৰ পৰা বাছি বাছি কেইটামান আজি "আৱাহন"ৰ পাঠকসকলক ভেটি দিলোঁ। এই প্ৰবন্ধৰ শুকান আৰু কঠুৱা কথাবোৰ ভাল নোপোৱা বহুতৰ পক্ষে স্বাভাৱিক। সেইসকলে গীত কেইটিৰ সোৱাদকে লব বুলি আমি আশা কৰিলোঁ। এইজনা কবি সাহিত্যিকৰ জীৱনী আৰু সাহিত্য প্ৰতিভাৰ বিশদ আলোচনা যে ইমান দিনে হোৱা নাই এই কথাই আমাক ধানপুৰীয়া কঠাল পাতৰ আঁৰত ইয়াকেহে সোঁৱৰাই দিছে।

*Vhaswati, Assamese translation of an Astronomical work

Author—Kaviraj Chakraverty (son of Dak Swaraswati)

Date—unknown, Descriptive catalogue, 31.

১। কুচ যুগ কণক কলস ভৰ নমিতে।
তনুৰুচি বিহসিত শঙ্কৰ দয়িতে।
ৰাধিকে নাশয় কামজ তাপ ময়ে।
ভাবয়ত তব মুখ-মধু বিমলং॥
মধুৰিপু নিৰ্ম্মিত পল্লব শয়নং।
আধবস শশিমুখী সুন্দৰ চৰণং॥
শ্ৰীকবিৰাজ ভনিতমতি ৰুচিৰং।
জনয়তু ৰসিক মুদা মুহু সুচিতং॥

—গীতৰ পুথি

২। গীতগোবিন্দৰ ভাঙনীত দিয়া ৰাজপ্ৰশস্তি।
"হেন কৃষ্ণপদ পঙ্কজৰ মধুকৰ।
পৃথিবী পালিলা ৰুদ্ৰসিংহ নৃপবৰ॥
হেন নৃপতিৰ আজ্ঞা শিৰোগত কৰি।
কৃষ্ণপদ পঙ্কজক হৃদয়ত ধৰি॥
নিগদতি দ্বিজবৰ শুনা সভাসদ।
নিবন্ধ কৰিলো গীত গোবিন্দৰ পদ॥"

—গীতগোবিন্দ

৩। সংস্কৃতত ৰচা ৰাজপ্ৰশস্তি। (ৰুদ্ৰসিংহলৈ)
অমল হৃদয়মিহ বৈষ্ণৱ জালম্।
সুললিত তনু মুখৰিত কৰতালম্॥
নৃত্যাদি গায়তি হৰিগুণ নামম্॥
কলিত ললিততম তুলসি মালম্।
চিন্তয়দচ্যুত মখিল সুপালম্॥
হৰি-ৰস-ৰভস সপুলক শৰীৰম্।
প্ৰেম সজল-লোচনমতি ধীৰম্॥
হৰি পদ বন্দন সুন্দৰ ভাবম্।
অমৃত মধুৰ মৃদুতৰ ৰাবম্॥
মাধৱ নাম প্ৰতিৰণিতেন।
৩। পুৰযদি যমিযতিললিতেন॥
বিদধ দাশীষং কৃতহৰি সেৱ।
ভূশমতি ৰুদ্ৰসিংহ নৰদেৱ॥
শ্ৰীকবিৰাজ দ্বিজবৰ ৰুচিতম্।
সুখয়তু নিখিল মিদং হৰিচৰিতং॥

—গীতৰ পুথি

৪। শিৱস্তোত্ৰ (সংস্কৃত)
বৃষবৰ থানং কৃত বিষ পানং
কণ্ঠবিভূষণ নীলম্।
হিমগিৰি-ভাসং ললিত বিলাসং
সঞ্জন ৰঞ্জন শীলম্॥
নিখিল-নিদানং কুশল-বিধানং
বিহিত-মদন-মদভঙ্গম্।
বিধৃত পিনাকং সুকৃত বিপাকং
জটাপটল গঙ্গম্॥
অজিন-বিকাশং ভৱ ভয়-নাশং
সদয় হৃদয়মবিকাৰম্।
কলিত কলাপং দিতিসুত কালং
সকল চৰাচৰ সাৰং॥
পৰম বিশেষং সতত সুবেশং
স্মৃতি হৰ চৰিত সমাজে।
অতিশয় যত্নং ত্ৰিভুবন ৰত্নং॥
নামত ভণতি কবিৰাজে॥

দুৰ্গাস্তুতি

৫। তাৰিণি! তাৰয় মামতিদীনম্।
তব পদ বাৰিজ সেৱন-হীনম্॥
দানৱ দৰ্প-বিনাশিনি মায়ে।
হিমগিৰি নন্দিনি শঙ্কৰজায়ে॥
নাশিত-সেৱক-জাল বিষাদে।
সুৰ-নৰ-কিন্নৰ বন্দিত পাদে॥
ভূষণ-ভূষিত ভাস্বৰ দেহে।
সকল মনোগত কামিত গেহে॥
বিদলিত দৰ্পিত দানৱ-গৰ্ব্বে।
নিজ গুণৰাশি ৰক্তসিক্ত সৰ্ব্বে॥
দ্বিজবৰ কবিবৰ গান মুদাৰম্॥
জনয়তু ৰসিকমুদং ভৱসাৰং॥

৬ প্ৰিয় সখি পাহি মামথ যাহি
সত্বৰমানয় নন্দকিশোৰং।
শ্যামল ৰুচিৰ কলেৱৰ মানত
গোপ যুৱতি মতি চোৰম্
ৰুচিৰ কুসুম চয় চাৰু শিখণ্ডক
মণ্ডন বলয়িতকেশম্।
হৰিত বিমল পট শোভে কলেৱৰ
মদন বিমোহন বেশম্॥
শ্ৰৱণ হিত মণি কুণ্ডল মণ্ডিত
গণ্ড যুগল মতি দীনম্।
ৰসয়তি মধুনিশি মামনুকম্পায়
মনসিজ সাগৰ লীনাম্॥
নয়ন কমল সব লোকয় মামক
মক্ষত-ঘন-ৰসধাৰম্।
ধৰণী বিবুধ কবি ৰাজ কবিশৃনু
জন ভৱ সাগৰ পাৰম্॥

৭। অভিনৱ ঘনৰুচি নীল সুবেশম্।
ৰাধে চল সখি হৰি মুপজাতম্॥
অমৰ নিকৰ বৰ সেৱিত পাদম্।
মকৰ মনোহৰ কুণ্ডল শোভম্॥
ব্ৰজ যুৱতি মুখ-পঙ্কজ-লেভিম্॥
ভুৱন মনোহৰ গুণবান গেহম্॥
হৰি পদ কিঙ্কৰ কবিবৰ গীতম্॥
সুখয়তু ৰসিকজনং শ্ৰুতি পীতম্॥

ৰাজপ্ৰশস্তি

৮। "ইন্দ্ৰৰ বংশত ৰুদ্ৰসিংহ নৰপতি।
সৌমাৰ দেশৰ পতি ভৈলা মহামতি॥
যাৰ শুদ্ধ যশে পূৰি আছে বসুমতী।
হৰ হৰি দুৰ্গা পাৱে যাৰ সদামতি॥"

সংস্কৃত ৰচিত বিহুগীত

ৰতি পতি সদনং জলৰহ বদনং
তনুজিত কণক বিকাৰম্।
ঘনকুচ কলসং পৰিল সদলসং
কলদনুপম বিকাশম্॥
নৃত্যাদি ললিতং হৰি গুণ বলিতং
গায়তি বিহু বিলাসম্।

ফলিত সুবচনং মুখবিত বসনং
নট পটল মৃদু হাসম্ ॥
তবল দৃগমলং চলকব কমলং
কোকিল কলবব বাবম্।
কচিকণ পযনং মৃদু জঘনং
যুব-জন-মোহন ভাবম্ ॥
ভূষণ ললিতং বসভববজিতং
চবণ বন্দিত মঞ্জীবম্।

গাযন ভননং প্রীতিসুখজনম্
মানসিকলযদতি কেলম্ ॥
সুবজ সুবনিতং তানধুমি
বিবচিত বহুবিধ খেলম্।
শ্রীকৃষ্ণসিংহ ধবণি পতি সিংহ
নিকপম বচন সমাজে।
ইদমনি গানং হবিগুণ ভণিং
শৃণুত ভণিতং কবিবাজে।

নতুনব সুব

কবিতা— —শ্রীযুত দীননাথ শর্ম্মা

জীবনব কত
অশ্রু-বিননি
ব্যথিতব ব্যথা গান,
মানস হিয়াব
আকুল স্বপ্ন
বিশ্বদেবতাব দান !
হাঁহি-বিবহব
দুপব-সন্ধ্যা
জীবন বীণাব তান,
আজি বসন্তব
সুপবশত
উজলি উঠিল প্রাণ
কোকিলব কুউ
কাকলী কণ্ঠ
জগতব নব যান,

কেতেকী বধূব
বিবহ সুবে
দুলিলে হিয়াত বান।
পুবণি হিয়াত
নবচেতনা
নবীনব অভিযান,
লগালে চমক
চাকৈ-চকোবা
প্রেমব তুলি তুফান !
গুঞ্জবি উঠিল
প্রেমিক অলি
যৌবনব পবশত,
বাঙলী বন্ত
ফুল্ল কুসুম
প্রিয়তম মিলনত !

মধুলিহ জাক
ফুলনি ভবি
জুবিলে শ্রমব গান,
মধু সন্ধানত
নিজক ভুলি
ফুলব ভাঙিলে মান !
বসন্ত সখীব
উলাহী গীত
পবিলা প্রাণত লাগি,
বামধনু বঙ
গাত বোলাই
চবকী মাবিলে জাকি !
গোলাপী বাইটি
মিচিকি হাঁহি
ঠাবেবে মাতিলে কাক,
তাকে দেখি তাই
হাঁহি-ভঙ্গীবে
দিলে ককালব পাক !
মিলনব কত
উতলা স্পর্শ
উতলা হিয়াব দান,
কত প্রেমিকব
প্রেম সম্ভাষা
প্রণয়ব মিছা ভান !
কত অতীতব
বিফল আশা
অর্ঘ্য শতদল ম্লান,

মুজবি উঠিল
নব পবশে
প্রেমিকব অভিমান !
নব-ঘন দল
আকাশ জুবি
পাতিলে মিলন মেলা,
শীতেবে তকুবা
জীবন-স্বপ্ন
জাগিল নতুন বেলা !
তটিনী হিয়াব
কদ্ধ প্রণয়
প্রেমিক পবশ পাই,
সজাগি উঠিল
তবঙ্গমালা
যৌবনব জয় গায় !
আকাশ পাতাল
স্বপ্ন সজাগ
নতুনব পযোভব,
অলস চেতনা
শুষ্ক প্রকৃতি
সকলোবে মনোহব !
আজি নতুনব
ন অনুবাগ
অশবীবী কাব গান,
অলক্ষিতে কাব
বিশ্ব-বীণত
উঠিলে মোহিনী তান !

অসমৰ সুকীয়া বিশ্ববিদ্যালয়

শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা, বি-এ

দেশৰ জাতীয় উত্থানৰ ক্ৰমোন্নতি আৰু আত্ম নিৰ্ভৰতা ভাবৰ বিকাশৰ লগে লগে এটা জাতীয় সজীৱ চেতনা আহি দেখা দিয়ে হি। সেই চেতনাৰ যোগে দিয়েই সেই নিজ নিজ অভাৱ অসুবিধাৰ মোচনাৰ্থে অশেষ পুৰুষাৰ্থ কৰে। অসম এখন উচ্চতম প্ৰদেশ আৰু অসমীয়া এটা সুকীয়া জাতি এই ভাবৰ উদয়ৰ লগে লগে সেই অসমীয়া জাতিৰ নিজত্ব আৰু অস্তিত্বও ভুমুকিয়াই দেখুৱাই দিয়ে আজি যে অসমক এটা সুকীয়া বিশ্ববিদ্যালয় লাগে এই ভাবৰ জাগৰণ অসমীয়া জাতিৰ মাজত বলেৰে সুমুৱাই দিয়া নহয় ই অসমীয়া জাতিৰ জাতীয় জাগৰণৰ লগে লগে অসমীয়াৰ অন্তৰে অন্তৰে খুন্দিওৱা স্বাভাৱিক উদ্দীপনাৰ হেন্দোলনি। ই পচোৱা বঁতাহত উঠা লোহিতৰ ক্ষন্তেকীয়া ঢৌ নহয়; ইয়াৰ অস্তিত্ব গভীৰ দ পানীত উদ্ভৱ। ইয়াৰ পৰা আমি ধৰি লব লাগিব যে অসমৰ কাৰণে সুকীয়া বিশ্ব বিদ্যালয় লগাৰ আন্দোলন এটা সমষ্টিৰ বা এটা সম্প্ৰদায়ৰ আন্দোলন নহয়; ই এটা অসমীয়াৰ জাতীয় আন্দোলন।

বিশ্ববিদ্যালয় এখন দেশৰ জাতীয় উন্নতিৰ সোপান, এটা জাতিৰ জাতীয় উন্নতিৰ আভাষ সেই দেশৰ বিশ্ববিদ্যালয়ৰ পৰাই জানিব পাৰি। কাৰণ বিশ্ববিদ্যালয় জ্ঞানৰূপী জ্যোতিৰ আলয়। পুৰণি কালত এই জ্ঞানৰ আলয় আমাৰ প্ৰাগজ্যোতিষ পুৰত যে বিশদৰূপে বৰ্ত্তমান আছিল তাৰ প্ৰমাণ বিখ্যাত ভ্ৰমণকাৰী হিউশেনচাংৰ বিবৰণ আৰু কামৰূপৰ ৰজা ৰত্নপালৰ তামৰ ফলিৰ পৰাই পাওঁহঁক। এই তথ্যবোৰে প্ৰমাণ কৰে যে অতি প্ৰাচীন কালত প্ৰাগজ্যোতিষ পুৰত বিদ্বান পণ্ডিত ধৰ্ম্মগুৰু আৰু ডাঙৰ ডাঙৰ কবি সকলে তেওঁলোকৰ জ্ঞানচৰ্চ্চাৰ বেদী স্থাপন কৰি গৈছিল। সেই চৰ্চ্চাৰ দ্বাৰাই বৰ্ত্তমান কালত বিশ্ববিদ্যালয় নাম পাইছে। প্ৰাচীন কামৰূপৰ বাহিৰেও সিদিনাৰ আহোম ৰাজত্বৰ সময়ৰ ৰজা ৰুদ্ৰসিংহ, শিৱসিংহ, আৰু ৰাণী মদাম্বিকাৰ দিনতো ৰাজ প্ৰাসাদত ডাঙৰ ডাঙৰ পণ্ডিতৰ জ্ঞান চৰ্চ্চাৰ ইতিহাসৰ অভাৱ নাই। এতেকে আমি কব লাগিব অসমৰ অৰ্থাৎ পুৰণি কামৰূপত বহুত দিনৰ আগৰে পৰা জ্ঞানৰ চৰ্চ্চা হৈ আহিছে আৰু সেই হেতুকে বিশ্ববিদ্যালয়ৰ কাৰ্য্য সকলোবোৰকে কৰি আহিছে। এই কথা উপলব্ধি কৰিয়েই অসম গবৰ্ণমেণ্ট অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ বুলি গোটেই ভাৰতৰ ভিতৰত অসমতেই তেনে ধৰণৰ প্ৰথম অনুষ্ঠান এটি স্থাপন কৰিছে। ইয়েই সম্প্ৰতিকে আমাৰ বিশ্ব বিদ্যালয়ৰ কাৰ্য্য কৰি আহিছে বুলি ধৰিব লাগিব; কাৰণ অসমৰ যি বিশ্ববিদ্যালয় হব সি ভাৰতৰ অন্য দেশৰ বিশেষকৈ কলিকতা বিশ্ববিদ্যালয়তকৈ সম্পূৰ্ণে বেলেগ ধৰণৰ হব লাগিব। সেইদৰে অসম লিশ্ববিদ্যালয়ৰ পাঠ্যপুথি আৰু পাঠ্য বিষয়বোৰ অইন বিশ্ববিদ্যালয়ৰ পৰা প্ৰায়েই বেলেগ ধৰণৰ হব লাগিব। তেতিয়াহে অসমৰ সুকীয়া বিশ্ববিদ্যালয় সাৰ্থকতা ফুটি ওলাব। অসম এখন পুৰাতত্ত্ব আৰু বুৰঞ্জী পূৰ্ণ প্ৰদেশ। এই হেন ঐতিহাসিক ৰহস্যপূৰ্ণ দেশ এখনৰ বিশ্ববিদ্যালয়ত পুৰাতত্ত্ববোৰ উদ্ঘাটন কৰি উলিওৱাটোৱেই সেই বিশ্ববিদ্যালয়ৰ প্ৰধান কাৰ্য্য হৈ পৰিব। সেই কাৰণে অসম গবৰ্ণমেণ্টৰ পৰা পুৰাতত্ত্ব বিভাগেই আমাৰ সুকীয়া বিশ্ববিদ্যালয়ৰ ভেটি বুলি ধৰি লব লাগিব।

অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় লগাৰ কথা আলোচনা কৰিবলৈ যোৱাৰ আগতে বৰ্ত্তমান কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অৱস্থাও অসমৰ স্কুল কলেজবোৰ চলিব পৰাতো কিয়নো এটা বেলেগ বিশ্ববিদ্যালয় লাগে এই প্ৰশ্ন উঠিব পাৰে। তাৰ উত্তৰত কব

লগিব যে অসমৰ স্বাৰ্থৰক্ষা কৰিবলৈ কলিকতা বিশ্ব বিদ্যালয়ৰ যথেষ্ট চেষ্টা কৰা নাই আৰু কৰাৰো দৰকাৰ নেদেখে। তাৰ প্ৰমাণ কলিকতা বিশ্ববিদ্যালয়ৰ কমিশ্যনবোৰৰ ৰিপোৰ্ট দেখিলেই বুজিব পাৰি। তেওঁ লোকৰ ৰিপোৰ্ট বোৰ সাধাৰণতে নিজ প্ৰদেশৰ স্বাৰ্থৰ সংশ্লিষ্ট অসমৰ জাতীয়তা বিৰোধ হোৱা স্বাভাৱিক; কাৰণ সেই কমিশ্যন বোৰৰ সকলো সভ্যই অনা অসমীয়া—বঙালী। অসমীয়া সভ্য চিণ্ডিকেটত নাই আৰু থাকিলেও একো কাম কৰিব নোৱাৰে। সেই কাৰণে আজি অসমৰ স্কুল কলেজবোৰ বঙ্গদেশৰ, স্বাৰ্থকেই নিজ স্বাৰ্থ বুলি আকোৱালি ধৰিব লগীয়াত পৰিছে, আৰু সেই দৰে নিজৰ বৈশিষ্ট্য সদায়েই অলক্ষিত হৈ ৰৈ গৈছে। যেনে বহাগ বিহু অসমীয়াৰ প্ৰধান জাতীয় উৎসৱ। কিন্তু এই বছৰৰ ভিতৰতেই কলিকতা বিশ্ব বিদ্যালয়ে বি-এ, পৰীক্ষাৰ দিন পেলাই অসমীয়া ছাত্ৰক তেওঁলোকৰ তেনেই হেপাহৰ ৰাঙলী বিহু উপভোগৰ পৰা বঞ্চিত কৰি ৰাখিছে, অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় স্থাপন হলে সেই বিশ্ববিদ্যালয়ে সদায়েই নিজৰ জাতীয় স্বাৰ্থলৈ চকুদি কাৰ্য্য কৰিবলৈ বাধ্য হব। সেই কাৰণে ওপৰৰ আপত্তি এই বিষয়ত নেখাটে। দ্বিতীয়তে অসমৰ স্কুল কলেজৰ শিক্ষা পদ্ধতি কলিকতা বিশ্ববিদ্যালয়েই ঠিক কৰি দিব লগা হোৱাত আৰু বিশ্ববিদ্যালয়ৰ কেন্দ্ৰ কলিকতা নগৰ অসমৰ বাহিৰত থকাৰ কাৰণে অসমীয়া ছাত্ৰই বি-এ, এম-এ, বি-এচ-চি, ৰিচাৰ্চ অৰ গৱেষণা কাৰ্য্যত অলপো খাটিবলৈ সুবিধা কৰিব নোৱাৰে। এনে সুবিধাৰ কাৰণেই আজি ভাৰতৰ সুযোগ্য সন্তান চাৰ চি, ভি, ৰমণৰ নিচিনা বৈজ্ঞানিক লোক ৰাধা কৃষ্ণৰ নিচিনা দাৰ্শনিক পণ্ডিতৰ উদ্ভৱ হৈছে। বঙ্গদেশতো সেই দৰেই আজি স্যাৰ প্ৰফুল্ল চন্দ্ৰ আৰু জগদীশ চন্দ্ৰৰ উদ্ভৱ নহলহেঁতেন যদি তেওঁ লোকে নিজ দেশতে কলিকতা বিশ্ববিদ্যালয়ৰ নিচিনা গৱেষণাৰ স্থান নাপালেহেঁতেন। এতেকে অসমীয়াৰ বিশিষ্ট বিষয়বোৰ উদ্ঘাটন আৰু গৱেষণা কৰিবলৈ হলে অসমৰ কাৰণে এটা সুকীয়া বিশ্ববিদ্যালয়ৰ দৰ্কাৰ। তেতিয়াহে বিশ্ববিদ্যালয়ৰ আচল উদ্দেশ্য সফল হব।

১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ে নিয়োগ কৰা 'কমিশ্যন'টোৱে 'ৰিপোৰ্ট'ত লিখিছে যে গোটেই অসমৰ ভিতৰত গুৱাহাটীয়েই যে একমাত্ৰ শিক্ষাৰ কেন্দ্ৰৰ উপযোগী ঠাই আৰু সেইদৰেই গোটেই কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত গুৱাহাটীৰ কটন কলেজেই সকলো বিষয়ত অন্য সকলো কলেজতকৈ বেছি মনযোগী তাত সন্দেহ নাই। আৰু তাত ইয়াকো উল্লেখ কৰা হৈছে যে যদি ভবিষ্যতে বিশ্ববিদ্যালয় স্থাপন হয় তেন্তে গুৱাহাটীয়েই সেই বিশ্ববিদ্যালয়ৰ কাৰণে উপযোগী ঠাই হৈ পৰিব কাৰণ গুৱাহাটীতেই সকলোফালৰ পৰা আলি, ৰেলৰ আলি, জাহাজৰ বাট আৰু তাৰ লগে লগে নানা ঠাইৰ নানালোকৰ সমষ্টিৰ সন্মিলন হৈছে। 'কমিশ্যন'ৰ সভ্য সকলে এই খিনিলৈকে তেওঁলোকৰ অন্তৰৰ সৰল আৰু সত্য অভিমত ব্যক্ত কৰিলে, কিন্তু তাৰ পিছৰ ডোখৰৰ বৰ্ণনা নিজ জাতীয় স্বাৰ্থৰ আঘাতৰ ভয়ৰ নিদৰ্শন আৰু অসমীয়া জাতিৰ স্বাৰ্থৰ প্ৰতি অৱহেলাৰ ভাব পৰিপূৰ্ণ। তাত লিখিছে যে অসমৰ অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ মাজত তেল-পানীৰ প্ৰভেদ আছে। তাক আমিও সৰ্ব্বান্তঃকৰণে সমৰ্থন কৰোঁ; আৰু সেই দৰেই অসম উপত্যকাৰ লগত খাছিয়া, জয়ন্তীয়া, নগা, গাৰো, মণিপুৰী আৰু কছাৰী জাতি সকলৰো অমিলতা দেখা যায়—তাকেহে আমি কিন্তু সমৰ্থন কৰিব নোৱাৰিলোঁ। কাৰণ ওপৰত উনুকিওৱা অসমীয়া দাঁতি কাষৰীয়া জাতিবোৰৰ লগত অসমীয়া জাতিটো হাড়ে-মগজুৱে-ব্যৱহাৰে সকলো ফালেদি বহুখিনি সমিল মিল। ভালকৈ চাবলৈ গলে তেওঁলোকৰ অন্তৰে অন্তৰে আজি অসমীয়াত্বহে দেখিবলৈ পোৱা যায় আৰু তেওঁলোকে অসমীয়াৰ লগত যেনেকৈ মিলিব পাৰে তেনেকৈ বঙালী বা ছিলেঠী সকলৰ লগত মিলিব নোৱাৰে—তাৰ প্ৰমাণ চৰকাৰী চাকৰি বিষয়ত আৰু ৰাজহুৱা কাৰ্য্যত সদায়েই পোৱা যায়। এতেকে আমি সগৌৰৱে আৰু সুদৃঢ়তাৰে কব পাৰোহঁক যে তেওঁলোকৰ লগত অসমীয়াৰ সম্পূৰ্ণ

সম্বন্ধ আছে। 'ৰিপোৰ্টকাৰী 'কমিশ্যন'ৰ সভ্যসকলৰ পাছৰ উক্তি তেওঁলোকৰ অসমীয়া আৰু পৰ্ব্বতীয়া জাতিৰ বিষয়ে অল্পজ্ঞানৰ ফলহে আৰু এই অল্প জ্ঞানৰ বা অজ্ঞানতাৰ ফলেই ভয়ঙ্কৰ হৈ আমাৰ জাতীয় দাবি এটাৰ বাটত হেঁচাদি ধৰিছে, কাৰণ তেওঁলোকে অমিলতা দেখুৱায়েই তেওঁলোকৰ 'ৰিপোৰ্ট'ত ঘোষণা কৰিছে যে অসমত এটা সুকীয়া বিশ্ববিদ্যালয়ৰ দৰকাৰ নাই। তাৰ উত্তৰত আমি কওঁ যে চিলেটৰ চিলেঠীয়া ভাই সকলৰ নিচিনা হাড়ে-চালে বঙালী সমষ্টি এটাক বলেৰে মাজত সুমাই দি সেই সমষ্টিটোৰ স্বাৰ্থয়েই অসমীয়াৰ নিচিনা এটা অতীত গৌৰবোজ্জ্বল জাতিৰ স্বাৰ্থ উৰাই দিয়া তেওঁলোকৰ পক্ষে ধৃষ্টতাহে মাথোন।

অসমীয়া জাতি জাগৰিত আৰু তাৰ লগতে জাগ্ৰত খাছী, মণিপুৰী, গাৰো-মিকিৰ, নগা-কুকী সকলো দাতি-কাষৰীয়া পৰ্ব্বতীয়া জাতিবোৰ। এনে অৱস্থাত এনে এটা জাতীয় স্বাৰ্থক পাছ পেলাই ৰখা ভয়ঙ্কৰ অন্যায়। অসমীয়াই আজি এই অন্যায়ৰ বোজা ওফৰাই পেলাব লাগিব।

চিলেঠীয়া ভাই সকলক বঙ্গদেশলৈ ঠেলি হলেও আমি নিজৰ সুকীয়া বিশ্ববিদ্যালয়ৰ স্থাপন কৰি লব লাগিব। তেওঁলোক বঙ্গদেশলৈ গলেও আমাৰ লোকচান নাই—বৰং লাভহে। কাৰণ তেওঁলোকৰ নিমিত্তে অসম গৱৰ্ণমেণ্টে বছৰি কেবা লাখৰ টকা খৰচ কৰি দেউলীয়া হ'ব লগাত পৰিছে। তাৰ ফলত অসম গৱৰ্ণমেণ্ট ধাৰেৰে পোত যাব লগাত পৰিছে ইফালে আমাৰ বৰ দৰ্কাৰী আৰু অত্যন্ত লাগতিয়াল বিষয়বোৰ পাছ পেলাই থব লগাত পৰিছে। সেই কাৰণে আমাৰ জাতীয় স্বাৰ্থলৈ চাই চিলেঠক অসমৰ পৰা পৃথক কৰি দিলে লাভৰ লোকচান নহয়—এতিয়াহলে আমাৰ সুকীয়া বিশ্ববিদ্যালয় নিচিনা অতি লাগতিয়াল আৰু নহলেই নোহোৱা অভাৱবোৰ পূৰণ কৰাত কোনো আহুকাল নহব আৰু তাৰ লগে লগে অসম গৱৰ্ণমেণ্ট ধাৰেৰে পোত খোৱা অৱস্থাৰ পৰা অন্তৰত কিছু হাত মাৰিব পাৰিব; কিন্তু আমি তেওঁলোকৰ সামান্য স্বাৰ্থৰ কাৰণে আমাৰ জাতীয় স্বাৰ্থ বলি দিবলৈ চাব নোৱাৰোঁহক।

অসমৰ সুকীয়া বিশ্ববিদ্যালয়ৰ স্থাপনৰ বিষয়ে আমাৰ আৰু এটা দাবী আছে। কলিকাতা বিশ্ববিদ্যালয়টো প্ৰথমতে ভাৰতৰ বৰলাট বাহাদুৰৰ তলত কেন্দ্ৰীয় গভৰ্ণমেণ্টৰ আমোলত আছিল। তেতিয়া ইয়াৰ চিনেট বা চিণ্ডিকেটে বঙ্গ দেশৰ দৰে অসমৰো স্বাৰ্থ বজাই ৰাখি চলিছিল। ১৯১৯ চনত যেতিয়া মণ্টেগু চেমচফৰ্ড ৰিফৰ্ম আহিল তেতিয়া অসমৰ বাহিৰে সকলো প্ৰদেশেই নিজৰ নিজৰ দাবী পূৰাই পালে। প্ৰত্যেক প্ৰদেশে নিজৰ নিজৰ হাইকোৰ্ট আৰু বিশ্ববিদ্যালয় পালে কিন্তু অসম এখন সুকীয়া প্ৰদেশ হৈয়ো ভাৰতৰ অন্য প্ৰদেশবোৰৰ দৰে এটা হাইকোৰ্ট বা এটা বিশ্ববিদ্যালয়ো নপালে। ইয়াতকৈ লাজ আৰু অপমানৰ কথা কিবা থাকিব পাৰেনে? ইফালে বঙ্গ দেশৰ কাৰণে কলিকতা বিশ্ববিদ্যালয় স্থাপন কৰি তাৰ কাৰ্য্য চলোৱা ভাৰ বৰলাটৰ হাতৰ পৰা আনি বঙ্গ দেশৰ গৱৰ্ণৰৰ হাতত সপি দিলে আৰু তাৰ লগতে অসমৰ শিক্ষা-দীক্ষাৰ ভাৰো সতিনীৰ নাক কাটি যাত্ৰা ভঙ্গ কৰাৰ দৰে কলিকতা বিশ্ববিদ্যালয়ৰ ওপৰতে দিলে। তেতিয়াৰে পৰা অসমৰ শিক্ষা-দীক্ষাৰ ভাগ্য-বিধাতা হল কলিকতাৰ বিশ্ববিদ্যালয়হে। অসম গৱৰ্ণমেণ্টৰো তাৰ ওপৰত একো হাত নাইকিয়া হল। তাৰ ফল হিচাবে কলিকতা বিশ্ব-বিদ্যালয়ে অসমৰ জাতীয় স্বাৰ্থবোৰ পাছ পেলাই আওকাণ কৰি যাব লাগিছে; তাৰ প্ৰমাণ কলিকতা বিশ্ববিদ্যালয়ৰ কাৰ্য্যবিৱৰণী আৰু 'কমিশ্যন'ৰ ৰিপোৰ্টবোৰতেই পোৱা যায়। যেতিয়ালৈকে অসমৰ কাৰণে এটি সুকীয়া বিশ্ববিদ্যালয় স্থাপন নহয় তেতিয়ালৈকে এই আলৈ আহুকাল, অভাৱ-অভিযোগ আঁতৰ নহব।

অসম গছ-গছনি, পৰ্ব্বত-পাহাৰ, নৈ-পুখুৰী আদিৰে ভৰা। এই পৰ্ব্বত-পাহাৰত থকা গছ-গছনি আৰু খনিজ বস্তুৰ দ্বাৰাই আগৰ অসমৰ বেজবৰুৱা কবিৰাজে অশেষ বস্তু উলিয়াই তাৰে দৰব প্ৰস্তুত কৰিছিল। এতিয়াও ঘৰৰ বুঢ়ী আয়ে নাতিনীয়েকৰ পেটৰ কামোৰ, জ্বৰ খহ হলে দৰবৰ কাৰণে ডাক্তৰৰ ওচৰলৈ নাযায়, ওচৰৰ হাবিৰ বন দৰব আৰু বনপাত আনিয়েই অসুখ ভাল কৰে। অসমৰ বেজবৰুৱাসকলৰ দৰবো বন গছৰ শিপা,

বন-পাত আৰু ধাতুৰেই তৈয়াৰ কৰা। সেই বিদ্যা আজি যথেষ্ট চৰ্চ্চাৰ অভাৱত লুপ্ত হৈ যাব লগীয়া গৈছে। বেজবৰুৱা কবিৰাজৰ পুথি আজি চৰ্চ্চাৰ অভাৱত ঘৰৰ চাঙত উঁয়ে বা পোকে খাইছে। অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় থকাহেঁতেন এই পুথিবোৰ উদ্ধৃত হৈ অসমীয়া কবিৰাজী ঔষধৰ প্ৰভাৱ গোটেই পৃথিবী বিয়াপি গলহেঁতেন। অসমত বিশ্ববিদ্যালয় থকাহেঁতেন ঔষধৰ বিষয়ে পুৰণি বিদ্যাৰ আলম লৈ নতুন তথ্যৰ কত কি আৱিষ্কাৰ হলহেঁতেন। কলিকতা বিশ্ববিদ্যালয়ে এই লুপ্ত বিদ্যা উদ্ধাৰ কৰাৰ আৱশ্যক নেদেখে।

সেই দৰেই বুৰঞ্জী ইতিহাস আৰু পুৰণি সভ্যতাত অসম চহকী। অসমীয়া বুৰঞ্জীৰ সমকক্ষ অতীত বুৰঞ্জী পৃথিবীত পোৱা নেযায়। সেই দৰেই অসমীয়া এৰি, মুগা, পাটৰ নিচিনা কাপোৰ ভাৰতৰ কোনো ঠাইত পোৱা নেযায়। অসমীয়াৰ সঙ্গীত কলা আৰু নৌ-বিদ্যাৰ বিষয়ে বহুত কথা জানিব লগীয়া আছে; কিন্তু এই সকলোবোৰ বিদ্যায়েই অসমৰ কাৰণে এটি সুকীয়া বিশ্ববিদ্যালয় নোহোৱাৰ কাৰণে লুপ্ত হৈ যাব লাগিছে। অসমৰ সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰধান কাৰ্য্য হব এই লুপ্ত বিদ্যাবোৰৰ উদ্ধাৰ কৰায়েই। সেই কাৰণে অসমৰ কাৰণে এটা সুকীয়া বিশ্ববিদ্যালয়ৰ দৰকাৰ আৰু সেই বিশ্ববিদ্যালয় অসমীয়া জাতিৰ কৃষ্টি আৰু জাতীয়তা ৰক্ষা কৰিবলৈ হলে স্থাপিত হব লাগিবই। অসমৰ বিশ্ববিদ্যালয়ৰ দাবি আজি আমাৰ ৰাজহুৱা জাতীয় দাবী আৰু তাৰ আন্দোলনো আমাৰ জাতীয় আন্দোলন।

অসমৰ সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ সামগ্ৰী প্ৰায়বোৰ মজুত হৈ আছে। পৰ্ব্বত পাহাৰ মণ্ডিত ব্ৰহ্মপুত্ৰৰে আবৃত গুৱাহাটীৰ নিচিনা এখন নগৰ আৰু তাৰে অন্তৰ্গত কটন কলেজত নিচিনা এখন উচ্চ স্থানীয় ৭৫০-জন ছাত্ৰৰে গঠিত এখন কলেজ, ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়াৰ নিচিনা ডাঙ্গৰ দাতাকৰ্ণ, তেখেতৰ পুত্ৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ নিচিনা বিদ্বান, অসম পুৰাতত্ত্ব বিভাগ আৰু কামৰূপ অনুসন্ধান সমিতিৰ নিচিনা প্ৰত্ন-তত্ত্ব বিষয়ৰ অনুষ্ঠান আৰু এই প্ৰদেশৰ কলেজ আৰু স্কুলবোৰ বিশ্ববিদ্যালয় গঠিত হবৰ কাৰণে সাজু হৈ বাট চাই আছে। এতিয়া মাত্ৰ কাৰ্য্যত আগ বাঢ়িলেই হয়। প্ৰদেশবিলাকৰ ভিতৰত কোনো কোনো খনত গাইপতি দুটা তিনিটাকৈ আৰু আগ্ৰা অযোধ্যা যুক্ত প্ৰদেশৰ ভিতৰতে পাঁচোটাকৈ বিশ্ববিদ্যালয়ে কাৰ্য্য চলাব পাৰিছে যেতিয়া অসম গভৰ্ণমেণ্টে এটা বিশ্ববিদ্যালয় স্থাপন কৰিও অসমৰ সন্মান আৰু স্বাৰ্থ ৰক্ষা নকৰিব কিয়? অসম গৱৰ্ণমেণ্টে ভাৰত গৱৰ্ণমেণ্টক দিব লগা হোৱা 'পেট্ৰল আৰু কেৰাচিন কৰ' অসমতে ৰাখিব পাৰিলে অসমত এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন হোৱা একো কঠিন নহব। এতিয়া লাগে অসমীয়া ৰাইজৰ জাতীয় দাবীৰ তুমুল আন্দোলন অসম গৱৰ্ণমেণ্টৰ আগত দৃঢ়তাৰে উপস্থাপিত কৰিবলৈ। সেই দাবী মানি লৈ সেই অনুসাৰে কাৰ্য্যত গৱৰ্ণমেণ্টক আগ বঢ়াব নোৱাৰিলে অচিৰতে অসমীয়া জাতিৰ প্ৰাচীন সভ্যতা আৰু কৃষ্টি লোপ পাব।



ছদ্মবেশী

নবম আধ্যা

উপন্যাস— —শ্ৰীযুত শান্তিৰাম দাস বি-টি

কাৰ্লাইলৰ বিয়া—

কাৰ্লাইল ৱেষ্টলিনিলৈ ফিৰি আহিল—ঘৰ পালেহি। তেওঁৰ মনৰ উৎফুল্লতা, চকুৰ আনন্দ ভৰা চাৱনি, দেহৰ কান্তি এখোপ চৰিল। তেওঁৰ খোৱা-লোৱা, চলা-ফুৰা, পিন্ধা-উৰা, বন্ধু-বান্ধৱৰ লগত মিলি-জুলি ফুৰা চকা সকলোতে পৰিবৰ্ত্তন ঘটিল। তেওঁ যেন কিবা বৰ ডাঙৰ দোষ কৰি আহিছে আৰু পদে পদেই যেন ধৰা পৰে, এই ভাবে তেওঁক চঞ্চল কৰি তুলিলে। বাঘিনী বায়েক মিছ্ কৰ্ণিৰ হাতত ধৰা নপৰিবলৈ বুলি তেওঁ সদায় সাৱধানে থাকে। এসপ্তাহমান এনেকৈ যোৱাৰ পিছত এদিন তেওঁ আকৌ লণ্ডনলৈ যাব ওলাল। সিদিনা চাহ খাওঁতে কিবা কামত জেপৰ পৰা টোকা-বহিখন উলিয়াওঁতে হঠাৎ এখন চিঠি (ইছাবেলে লিখা) সৰি পৰিল। মিছ কৰ্ণিয়ে চিঠিখন বুটলি লৈ খুলিলে আৰু লগে লগে কৈ উঠিল, "কৰ পৰা আহিছে এই চিঠি? কোনোবা তিৰোতা মানুহৰ হাতৰ আখৰ যেন পাওঁ দেখোন?" কাৰ্লাইলে ততাতৈয়াকৈ কৰ্ণিয়ে যাতে চিঠিখন পঢ়িব নোৱাৰে তেনে ভাৱে হাতখনেৰে চিঠিখন ঢাকি ধৰি কলে, "ক্ষমা কৰিবা বাইদেউ; এইখন মোৰ ভিতৰুৱা চিঠি।"

কৰ্ণিয়ে খং কৰি কলে, "ভিতৰুৱা চিঠি, মূৰ্খ! মই চোৱাত কি বাধা আছে?"

"অনুগ্ৰহকৈ চিঠিখন দিয়া বাইদেউ।"

কৰ্ণিয়ে চিঠিখন দিলে। মুখখন আগ বঢ়াই দি চকুযোৰ ঘোপাকৈ সুধিলে, "তোমাৰ কি হৈছে আৰ্কিবাল?" "একো হোৱা নাই" বুলি কৈ কাৰ্লাইলে চিঠিখন জেপত সুমাই থলে আৰু কাষতে বহি থকা বাৰবাৰাৰ ফালে চাই কলে, "লোকৰ চিঠি আন মানুহে পঢ়া ভাল নে বাৰবাৰা? আৰু ফেল্‌ফেল্‌কৈ হাঁহিলে। বাৰবাৰাই কবলৈ একো বিচাৰি নাপাই সুধিলে, "এই বেলিও মাউণ্ট চেভাৰ্ণৰ ঘৰ পাবাগৈ নে কি?"

"এৰা, সুবিধা আৰু সময় পালে এপাক মাৰি আহিম।"

"তেওঁলোকে লেডী ইছাবেলৰ বিয়াৰ বিষয় কিবা কোৱা-মেলা কৰে নে? তুমি সেই বিষয়ে একো শুনা নাই নে?"

কাৰ্লাইলে অলপ খংভাৱে কলে, "ইস্, মোৰ আৰু কাম নাই। মই যতে যি শুনো তাকেই মনত ৰাখিব লাগে? ধৰা, তোমাৰ চাহত চেনি কম হৈছে।" কাৰ্লাইলে দুই-তিনি চামুচ চেনি বাৰবাৰাৰ চাহৰ বাটিত পেলাই দি হাঁহিবলৈ ধৰিলে।

বাৰবাৰাৰ চাহ খোৱা হোৱা মাত্ৰাকে যাবলৈ ঠিয় হৈ কলে, "যাওঁগৈ, আজি আয়ে বকিব। আন্ধাৰো হৈ আহিল; অকলে ইমান পলমকৈ থকা বাবে তেওঁ গালি-শপনি পৰিব।" তাকে শুনি মিছ কৰ্ণিয়ে কলে, "তেনেহলে আৰ্কিবলে আগ বঢ়াই থৈ আহক।" আন দিনা হলে কাৰ্লাইল এই কামত আগৰণুৱা, কিন্তু আজি অলপ পিছ হোঁহকা মাৰি কলে, "উহু, মোৰ সময় নাই, অফিচত বহুতো কাম আছে।" আকৌ পিছ মুহূৰ্ত্ততে কৈ উঠিল, "বাৰু, বাৰু, ততাতৈয়া কৰা তেনেহলে, কাপোৰ-কানি লোৱা—বলা।"

কাৰ্লাইল আৰু বাৰবাৰা ওলাই গল। বাৰবাৰাই ইছাবেলক পাহৰিব পৰা নাই। ইছাবেল ইষ্টলিনিত থাকোঁতে কাৰ্লাইল তালৈ ঘনাই ঘনাই অহা-যোৱা দেখি বাৰবাৰাৰ মনত কিবা এটা সতিনী ভাব এতিয়াও জাগি উঠিছিল

আৰু বোধহয় সেই গুণেই আজিলৈ তাই ইছাবেলৰ কথা মনত কৰি থাকে। সেই দেখি বাৰবাৰাই আকৌ সুধিলে," কাৰ্লাইলদা, মই তোমাক সুধিছিলোঁ যে ইছাবেলৰ কৰবাত বিয়াৰ ঠিক হৈছে নে নাই।" কাৰ্লাইলেও সেই সুৰতে উত্তৰ দিলে," ময়ো তোমাক উত্তৰ দিছিলোঁ যে মোৰ মগজে সিমানবোৰ কথা মনত ৰাখিব নোৱাৰে। শুনিলেও মনত নাই।"

বাৰবাৰাই জেদ কৰি সুধিলে, "নহয়, তুমি শুনিছিলা নে নাই?"

"অঃ, তুমিও বৰ বেয়া ছোৱালী দেখিছোঁ। মোৰ বিশ্বাস ইছাবেলৰ বিয়া সোনকালে হব।"

বাৰবাৰাই দীঘলকৈ হুমুনিয়াহ এটা ছাৰি সুধিলে, "ক'ত? আৰু কাৰ লগত?" কাৰ্লাইলে হাঁহি হাঁহি কলে, "অ, সেইবোৰ এতিয়া কব নোৱাৰোঁ। বাৰু, এই বাৰ কেষ্টেল মাৰ্লিঙৰ পৰা আহিলে সঠিক খবৰ কম—টোকা বহিত লিখি একেবাৰে বুকৰ মাজতে লৈ আহিম।"

"বোধ হয় লৰ্ডভেনৰ লগত নহয় নে?"

"ভাল কৈছা, তাৰ বয়স ৬ বছৰ মাথোন। বৰ সুন্দৰ নোদোকা লৰা বাৰবাৰা; দেখিলেই মৰম লাগে। মোৰো তেনেকুৱা লৰা এজন হোৱা হলে?"

বাৰবাৰাই মুখখন পাক মাৰি কলে, "তুমি বিয়া নকৰোৱাকৈয়ে বুঢ়া হবা।"

"কব নোৱাৰি, ত্ৰিশ বছৰ নৌ হওঁতেই কিজানি বিয়া নকৰোৱাকৈয়ে বুঢ়া হৈ পৰোঁ। হবৰো যোল অনা সম্ভৱ আছে।"

"তেনেহলে তুমি তোমাৰ বিয়া কৰবাত ঠিক কৰিছা?"

"কৰা যে নাই এনেও নহয়। অৱশ্যে সকলো সময়ত জানিবা।"

বাৰবাৰাৰ বুকুখন ধপছ ধপছকৈ উঠিল, সমস্ত শৰীৰ কঁপিবলৈ ধৰিলে। গাৰ কাপোৰখন ভালকৈ লোৱাৰ ছল কৰি কাৰ্লাইলৰ হাতৰ মাজৰ পৰা হাতখন উলিয়াই আনিলে। বেচেৰী বাৰবাৰা!

দুয়ো বাৰবাৰাইতৰ ফটকত উপস্থিত হলহি। কাৰ্লাইলে দুৱাৰখন মেলি দি কলে, "তেনে যোৱাগৈ এতিয়া।"

"তুমি নাহা নে? আহাঁ, এবাৰ আইক মাতদি যোৱাঁহি।"

"নাই, সময় নাই। তুমিয়ে তেওঁক মই অহা বুলি কবা।"

কাৰ্লাইলে দুৱাৰখন বন্ধ কৰিলে, কিন্তু বাৰবাৰা তাতেই হেলান দি থিয় হৈ থাকি সুধিলে, "তুমি তাত বহু দিন থাকিবা নহয় নে?"

"ঠিক নাই, কেলেই?"

"মই——," মাত বাজিল। মনৰ সকলো ভাব দমাই ৰাখি শেহত কলে, "মই তোমাক বহু দিনৰ পৰা কথা এটা কওঁ কওঁকৈ কোৱা নাই।"

"যদি বেয়া নোবোলাঁ তেন্তে কওঁ।"

"কি কথা কোৱাঁ।"

"এবছৰ কি দুবছৰ আগেয়ে তুমি মোক সোণৰ হাৰগছ আৰু গলপতাধাৰ যে দিছিলা মনত পৰে নে?"

"ওঁ, খুব পৰে।"

"মই তাত মৰমৰ ককাই ৰিচাৰ্ডৰ একণমান, বুঢ়ীমাইৰ একণমান আৰু আইৰ একণমান চুলি ভৰাই থৈছোঁ তেওঁলোকৰ স্মৃতি-চিন স্বৰূপে। তাত আৰু ঠাই আছে, এয়া চোৱাঁ।"

"বাৰু আছে বুজিলোঁ, এতিয়া কি কৰিব লাগে?"

"মই তোমাৰো মৰমৰ চিন স্বৰূপে একণমান চুলি ইয়াতে ভৰাই থব খোজো; দিবা নে?"

"মোৰ চুলি, নে মোৰ মূৰটো? কি কৰিবা?"

"তুমি মোক মৰম কৰিছিলা তাৰ চিন স্বৰূপে এই হাৰগছ আৰু গলপতাধাৰ দিছিলা। ময়ো তোমাক যে ভাল পাওঁ, তাৰ চিন স্বৰূপে ৰাখিবলৈ।"

"অ, তেনেহলে কালি মই চুলি কাটিছিলোঁ—আগতে নকলা কেলেই? বাৰু মোৰ সময় নাই, আহিলোঁ এতিয়া।"

নিষ্ঠুৰ নিৰ্দ্দয় কঠুৱা মনৰ মানুহ!

কাৰ্লাইল ততাতৈয়াকৈ গুচি গলগৈ। বাৰবাৰাই হাত দুখনেৰে মুখখন ঢাকি মনৰ আবেগতে কান্দিলে, "আহাঁ, মই কি কৰিলোঁ, মই কি কৰিলোঁ!

তেওঁ ইমানেই উদাসীন স্বভাবৰ নে? তেওঁৰ কি অলপো অন্তৰ নাই? আহা! কি কৰিলোঁ! বাক সময় আছিব। তেওঁৰ কথাত সকলো হাব-ভাব লুকাই আছিল। তেওঁ নিশ্চয় মোক লক্ষ্য কৰিহেই কথাবাৰ্তা কৈছিল। আৰিবল! মেতিয়া এদিন মই তোমাৰ বিবাহিতা স্ত্ৰী কণে তোমাৰ বাহুৰ মাজত থিয় হমগে, তেতিয়া তুমি জানিবা মই তোমাক কিমান ভাল পাওঁ; তাৰ আগেয়ে নাজানা, জানিব নোৱাৰাবও।"

তিনি-চাৰি দিন পিছত কাৰ্লাইলৰ মহৰী ডিলে হাতত চিঠি এখন লৈ আহি মিছ কৰিব ফালে আগ বঢ়াই দি কলে, "আইদেউ, এইখন আপোনাৰ চিঠি; মিঃ কাৰ্লাইলে লিখিছে চাগৈ।"

"আৰিবলে লিখিছে? কি লিখিছে? ঘৰলৈ অহাৰ কথা লিখিছে নে কি? লগে লগে কৰিয়ে চিঠিখন ফালি পঢ়ি থল—

কেইল মাৰ্লিং
১লা মেই।

চেনেহী বাইদেউ,

আজি ৰাতিপুৱা লেডী ইছাবেলৰ লগত মোৰ বিয়া হৈ গল। লৰা-দপবাকৈ তোমাক কথাটোহে জনালোঁ। কালি বা পৰহিৰ ডাকত তোমালৈ সবিশেষ লিখিম।

তোমাৰ মৰমৰ ভাইটি,
আৰিবাল কাৰ্লাইল।

চিঠি পঢ়ি উঠি কৰিয়ে ভনুনিয়াহ ছাৰিলে আৰু একেবাৰে বিমৰিষ হৈ কলে—নহয়, মিছা কথা, হবই নোৱাৰে। বিয়া নহয় তোৰ মুৰ। মহামূর্খ ছই লৰা! তই মোৰ আগত নোকোৱাকৈ বুদ্ধি কৰি বিয়া কৰাবলৈহে গৈছিলি? আৰু ছোৱালী পালিগৈ সেই লাহ-বিলাহৰ ৰাণী, সংসাৰৰ অপদাৰ্থ জীৱ, ৰাজকুমাৰী লেডী ইছাবেলকহে। ছিঃ ছিঃ সংসাৰৰ অনভিজ্ঞ মূর্খ বালক।"

ডিলে অত পৰ টলকা মাৰি শিলৰ মূৰ্ত্তিৰ দৰে থিয় হৈ থাকি লাহেকৈ কলে, "মহো এই বিষয় এখন চিঠি পাইছোঁ আইদেওঁ। কথা মিছা নহয়, নিশ্চয় সঁচা। এই খৰৰ কাগজতো উঠিছে, এইচোৱা।" ডিলে এখন খৰৰ কাগজ কৰিয়ৰ হাতত দিলে। তাত লিখা আছিল—

১লা মেই কেইটেল মাৰ্লিঙত ৰাজপুৰোহিত বিজমানে ইষ্টলিনিৰ মিঃ আৰিকেল কাৰ্লাইলৰ লগত মাউণ্ট চেভাৰ্ণৰ ৰজা স্বৰ্গীয় লৰ্ড উইলিয়ামৰ একমাত্ৰ জীয়েক লেডী ইছাবেল মেৰীভেনৰ বিয়া হৈ গল।

কৰেলিয়াই কাগজখন পঢ়ি টুকুৰাটুকুৰিকৈ ফালি পেলালে আৰু ডিলৰ ফালে চাই কৈ গল, "নহয়, মই তাক কেতিয়াও ক্ষমা নকৰোঁ, তাইকো ক্ষমা নকৰোঁ। মূর্খ বান্দৰ, সেই লাহ-বিলাহী ইছাবেলকহে পালেহি? আহক, বুঢ়ী বাঘেক এপাকি দিছে এবিম!"

ডিলে মাত দিলে, "তেওঁ মূর্খ নহয় আইদেও।"

"তাতোকৈ বেছি। সি পণ্ডিত। নষ্ট বুদ্ধিয়ে বাৰে। আহক—সি ক'ত থাকে দেখিম, তাক ইয়াত মোৰ ঘৰত ভৰি দিবলৈকে নিদিওঁ।"

"বোধ কৰোঁ তেওঁলোক ইষ্টলিনিত থাকিবহি।"

"ইষ্টলিনিত? তাতো ভৰি দিবলৈকে নিদিওঁ বুঢ়ী বাঘেকে।" এই বুলি কৰি গৰজি উঠিল আৰু বুঢ়া ডিলক খুদিলে, "তই তেনেহলে এইবোৰ কথা আগেয়ে জান?"

"অলপো নাজানো আইদেও। ময়ো কথা শুনি বৰ আচৰিত হৈছোঁ আৰু দুখো পাইছোঁ।"

"নহয়, তই সকলো কথা জান; নহলে সিহঁত ক'ত থাকিবহি, কি কৰিবহি তই কেনেকৈ জানিলি বান্দৰ?" কথাৰ লগে লগে কৰিয়ে বুঢ়া ডিলক টান মাৰি ওচৰলৈ আনি দুহো হাতেৰে তাক খামোচ মাৰি ধৰি গাৰ বলেৰে জোকাৰিবলৈ ধৰিলে। বুঢ়া ডিলে "মই একো নাজানো আইদেও, মই শপত খাব পাৰোঁ আইদেও, মোক দোষ নিদিয়া, এৰি দিয়া এৰি দিয়া" বুলি চিঞৰিবলৈ ধৰিলে। তেওঁ বুঢ়া ডিল বেচেৰাক পাৰেমানে জোকাৰি "যা বান্দৰ" বুলি ঠেলা মাৰি বিদায় দিলে। বেচেৰা বুঢ়া মানুহ—কঁপি কঁপি ওলাই গল।

[ক্ৰমশঃ

বিশ্ব-প্ৰবাহ

মানুহৰ একেলগে দুই তিনি চাৰি পাঁচ নাইবা অধিক সন্তানৰ জন্ম



একেঘাঁহ একেলগে জন্মা পাঁচটা সন্তান—জন্মৰ পাঁচ দিনৰ পিছত

যঁজা অৰ্থাৎ একে লগে দুটা সন্তানৰ জন্ম হোৱা কথা সাধাৰণৰ মনত একো আচৰিত বিষয় নহয়। প্ৰায় যঁজা সন্তান ওপজা আমি দেখিবলৈ পাওঁ। কিন্তু তিনিটা, চাৰিটা পাঁচটা নাইবা তাতো অধিক সন্তান একে লগে ওপজা বহুতে দেখা নাইবা শুনাও নাই। কিন্তু আচলতে পাঁচ বা তাৰ বেছি সংখ্যক সন্তানো কোনো কোনো ঠাইত ওপজা দেখিবলৈ পোৱা গৈছে। অৱশ্যে বহুসংখ্যক সন্তানৰ একে লগে জন্মহোৱা কথা বহুতে সময়ত অবিশ্বাস কৰিও কব পাৰে কিন্তু আচল প্ৰমাণলৈ চাই ইতিয়াদেৰ মানুহৰ একে লগে ছটা সন্তান জন্ম হোৱা কথাটো সঁচা।

মেডিকেল ৰেকৰ্ডৰ পৰা জানিব পৰা যায় একে লগে পাঁচ টাকৈ সন্তানৰ জন্ম এতিয়ালৈকে ৩০ বাৰ হৈছে। চাৰিটা, তিনিটা সন্তানৰ জন্ম এক হিচাবে সাধাৰণ কথাই বুলিব পাৰি। কাৰণ বিশেষজ্ঞ সকলৰ মতে প্ৰায় ৮৮জন্মৰ ভিতৰত একোটাকৈ যঁজা সন্তানৰ জন্ম। আৰু আচৰিত কথা যে এই বিশেষজ্ঞ সকলৰ মতে $৮৮^২$ বা ৭৭০০ জন্মৰ ভিতৰত এটাত তিনিটা সন্তান ওপজে আৰু $৮৮^৩$ বা ৬৯০০,০০০ ৰ এটা জন্মত ৪টা সন্তান ওপজে। এই হিচাব মতে দেখিবলৈ পোৱা যায় যে একেলগে দুই, তিনি, চাৰি সন্তানৰ জন্ম যেন প্ৰগোগ্ৰেচন চলিছে। এই সন্তানৰ সংখ্যা বৃদ্ধিৰ লগে লগে জনসংখ্যা কমি অহা নিয়মটো ডাঃ হেলিনে উলিয়া



একেলগে জন্মা চাৰিটা সন্তান

বাবে তাক আজি কালি হেলিন্স ল' বোলে। যদিও একেলগে বহুসংখ্যক সন্তানো ওপজে তথাপি তেনেকৈ জন্মা সন্তান প্ৰায় নাবাচে, কিছুমান জন্মৰ দুই এঘণ্টাৰ

পিছতেই মৰে। বৰ্ত্তমানে কেনাডাৰ কেলাণ্ডাৰ নামক ঠাইত একেলগে পাঁচটা সন্তান উপজিছে। আৰু সৌভাগ্য ক্ৰমে আটাইটি এতিয়াও জীয়াই আছে। ডাক্তৰ সকলৰ



একেলগে জন্মা তিনিটা সন্তান

মতে সন্তান কেইটিৰ লক্ষণলৈ চাই আটাইটি ডাঙৰ-দীঘল হৈ উঠিব বুলি আশা কৰিব পাৰি। এতিয়া সিহঁতৰ বয়স ৪ মাহৰ ওপৰ হৈছে। এই সন্তান কেইটিৰ ভৰণ-



দুটি যজা সন্তান

পোষণৰ ভাৰ গৱৰ্ণমেণ্টে গ্ৰহণ কৰিছে আৰু ১৮ বছৰলৈ গৱৰ্ণমেণ্টৰ অধীনত থাকিব। ডা. ডেকো আৰু তেওঁৰ তলৰ কেজনীমান ধাইক সন্তান কেইটিৰ যত্নৰ ভাৰ দিয়া হৈছে।

অসম শক্তি মেলা



শ্ৰীযুত দেবেন্দ্ৰ নাথ বেজবৰুৱা
অভ্যৰ্থনা সমিতিৰ সভাপতি, অসম শক্তিমেলাৰ ২য় অধিবেশন যোৰহাট



শ্ৰীমান প্ৰভাসচন্দ্ৰ কটকী
বেজবৰুৱা স্কুল। একেবাৰে লৰ দিয়াত প্ৰথম স্থান পোৱা।
সময়—১৭ ঘণ্টা ৫২ মিনিট



শ্ৰীযুত কুলধৰ চলিহা



শ্ৰীমান ভগীৰাম হাজৰিকা। বেজবৰুৱা স্কুল।
একেবাৰে খোজ কঢ়াত প্ৰথম স্থান পোৱা। সময়—৪৮ ঘণ্টা ২৯ মিঃ

যোৱা ১৫, ১৬, আৰু ১৭ মাৰ্চ্চ এই তিনি দিন যোৰহাটত সদৌ অসম শক্তি মেলাৰ দ্বিতীয় অধিবেশন হয়। মেলাত গুৱাহাটী উগ্ৰতাৰা ক্লাব, ডিব্ৰুগড় তৰুণ সমিতি আৰু স্থানীয় বেজবৰুৱা হাইস্কুল, টেক্‌নিকেল স্কুল আৰু অইন বাহিৰা প্ৰতিযোগী সকলে যোগ দিছিল।



শ্ৰীমান হৰীন্দ্ৰ নাথ মহন্ত

শ্ৰীযুত দেবেন্দ্ৰনাথ বেজবৰুৱা ডাঙৰীয়া আদৰণী মেলৰ সভাপতি আছিল।

প্ৰথম দিনা সভাৰ উদ্বোধন হয় আৰু শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই সভা মুকলি কৰে। শেষৰ দিনা শিক্ষা বিভাগৰ ইন্সপেক্টৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ সহধৰ্ম্মিণী শ্ৰীযুতা ভুবনেশ্বৰী দেৱীয়ে যোৱা বছৰৰ প্ৰতিযোগিতাত কৃতকাৰ্য্যতা লাভ কৰা প্ৰতিযোগী সকলক বটা বিতৰণ কৰি দিয়ে আৰু শ্ৰীযুত গোস্বামী দেৱে সামৰণী সভাৰ সভাপতি আছিল।

একেবাৰে চাইকেল চলোৱা, লৰ দিয়া, খোজ কঢ়াত যথাক্ৰমে বেজবৰুৱা হাইস্কুলৰ ছাত্ৰ শ্ৰীমান হৰীন্দ্ৰ নাথ মহন্ত, শ্ৰীমান প্ৰভাসচন্দ্ৰ কটকী আৰু শ্ৰীমান ভগীৰাম হাজৰিকাই প্ৰথম স্থান অধিকাৰ কৰে।

চাইকেলেৰে ভাৰত ভ্ৰমণত অসমীয়া ডেকা শ্ৰীমান কীৰ্ত্তিৰাম বৰুৱা

শ্ৰীমান কীৰ্ত্তিৰাম বৰুৱা এজন ব্যায়াম চৰ্চ্চা কৰা অসমীয়া ডেকা। ব্যায়াম চৰ্চ্চাৰে তেওঁ শক্তি সম্পন্ন

শৰীৰ গঠন কৰিছে। তেওঁ বৰ্ত্তমান চাইকেলেৰে গোটেই ভাৰত ভ্ৰমণ কৰিবৰ মনেৰে ওলাই এতিয়ালৈকে ২০০০ হাজাৰ মাইলৰ ওপৰ ভ্ৰমণ কৰিছে। অলপতে তেওঁ



শ্ৰীমান কীৰ্ত্তিৰাম বৰুৱা

লকাকিতা পাইছিলহি। দুই এদিন জিৰণিৰ পিছত তেওঁ ভ্ৰমণ প্ৰগত আৰু যাত্ৰা কৰিছে। তেওঁৰ ভ্ৰমণ সাফল্যমণ্ডিত হওঁক আমি সকলোৰে সহায় সহানুভূতি পাব বুলি আমি আশা কৰিলোঁ।

স্কুলীয়া লৰাৰ বাঘ চিকাৰ



শ্ৰীমান মুহীন্দ্ৰ শৰ্ম্মা

মোৰহাট হাইস্কুলৰ ১ম শ্ৰেণীৰ ছাত্ৰ শ্ৰীমান মুহীন্দ্ৰ নাথ শৰ্ম্মাই এই বাঘটো তেওঁলোকৰ নিজা বাগিছা চেনীজানত চাউৰ ওপৰৰ পৰা একে গুলীতে পেলাই দিয়ে। বাঘটোৱে এদিনতে বাগিছাত তিনিটা গৰু মাৰিছিল। তাৰে এটা গৰু থকা ঠাইত চাং পাতি শ্ৰীমান মুহীনে সন্ধ্যাৰ পিছত থাপ দিয়ে। এঘণ্টা মানৰ পিছত বাঘ আহি ওলাহহি আৰু চিকাৰীৰ হাততে প্ৰাণ এৰে। এওঁ এইবাৰ 'ল' পৰীক্ষাত ইউনিভাৰ্চিটিত প্ৰথম স্থান অধিকাৰ কৰা শ্ৰীযুত হৰেন্দ্ৰনাথ শৰ্ম্মা, বি-এলৰ ভাইক

শ্যামৰ লৰা বজা

প্ৰজা সকলৰ দাবী আৰু মত অনুযায়ী শাসন কাৰ্য্য চলাবলৈ ইচ্ছা প্ৰকাশ কৰিৰ নোৱাৰি বজা প্ৰজাদিগৰে সিংহাসনকে এৰি দিলে। তেওঁৰ ঠাইত এতিয়া সিংহাসনৰ উত্তৰাধিকাৰী ১১ বছৰীয়া লৰা এজনক ৰখা পতা হৈছে। এই মে মাহতে তেওঁৰ ৰাজ্যাভিষেক হব।



শ্যামৰ লৰা বজা

কলিকতাত আনন্দৰাম বৰুৱাৰ সোঁৱৰণী ফলি

কলিকতাৰ এ-এছ-এল ক্লাবৰ উদ্যোগত স্বৰ্গীয় আনন্দ ৰাম বৰুৱাৰ সোঁৱৰণী ফলি এখনি তেওঁৰ দেহ শয়ন

ঠাইত অলপতে ৰখা হ'ল। এই ফলিৰ উন্মোচন কাৰ্য্য, সম্পাদন কৰিছিল ক্লাৰ দেৱ প্ৰসাদ সৰ্ব্বাধিকাৰীয়ে। আমাৰ আনন্দৰামৰ প্ৰতি যথোচিত সন্মান, শ্ৰদ্ধা, আৰু ভক্তি দেখুৱাত হৈ অহা ইমান দিনৰ ত্ৰুটী এই ফলি স্থাপনেৰে কিছু পৰিমাণে হলেও পূৰণ কৰাত এ-এছ-এল ক্লাব আৰু তাৰ উদ্যোক্তা সকলোৱে শলাগ লোৱা

আনন্দৰাম বোৱৰী ফলি উন্মোচন প্ৰসঙ্গত ক্লাব দেৱ প্ৰসাদ সৰ্ব্বাধিকাৰীয়ে বক্তৃতা দিছে।
সমুখত শ্ৰেষ্ঠ বিগোটাৰ।

উচিত। এই ফলি উন্মোচন প্ৰসঙ্গত ক্লাব সৰ্ব্বাধিকাৰীয়ে কৈছিল—

"আনন্দৰাম বৰুৱাৰ ইংৰাজী সংস্কৃত অভিধান সম্পূৰ্ণ কৰিবলৈ পোৱা হেতেঁন ই জগতৰ সাহিত্য ভৱালত এটি মহৎ দান হল হেতেন। এতিয়া যিখিনি প্ৰকাশিত হল তাকেই যি কোনো পণ্ডিতে গৌৰৱ অনুভৱ কৰিব পাৰে।

আনন্দ ৰামৰ অলপ দৃষ্টান্তেই সকলোৰে জ্ঞান পিপাসাৰ চিৰন্তন অনুপ্ৰেৰণা হোৱা উচিত।" তেওঁ আৰু কৈছিল ... ... "আনন্দ ৰাম বৰুৱাৰ আদৰ্শ অতি উন্নত আছিল। তেওঁ প্ৰাদেশিক গণ্ডীত আবদ্ধ নাথাকি গোটেই জগতৰ উপকাৰত অহা কাম হাতত লৈছিল। তেখেতৰ দৃষ্টান্ত সকলোৰে অনুকৰণীয়।"

এই প্ৰসঙ্গতে ক্লাব সৰ্ব্বাধিকাৰীয়ে অসমত শিক্ষা আৰু জ্ঞান বিস্তাৰৰ বাবে এটি স্বকীয়া বিশ্ববিদ্যালয়ৰ আৱশ্যকতাৰ বিষয় ডাঠি কৈছিল। তেখেতৰ এই অভিমত এসময়ৰ কলিকতা বিশ্ববিদ্যালয়ৰ গুৰি সংস্থাপক কথা হিচাবে অসমৰ ভবিষ্যত বিদ্যালয়ৰ স্থাপনৰ চেষ্টাত নিশ্চয় আমাক সহায় কৰিব।

সমাজ সংৰক্ষণ

গল্প— —শ্রীযুত যুগলকুমাৰ দাস

বীৰেনে কমলাক ভাল পাইছিল। এদিন সুযোগ বুজি বীৰেনে কমলাৰ হাতখনত ধৰি কলে, "কমলা, তোমাক ভাল পাওঁ।" কমলা বঙা-চঙা পৰি গল। আচলতে বীৰেনে কমলাক জীৱন-সঙ্গিনী ৰূপেই পাবলৈ আশা কৰিছিল। এদিন তাৰেই উত্তৰ কমলাই দিলে বীৰেনক এছুখৰি কাগজত ছটামান কুকুৰা-ঠেঙীয়া আখৰেৰে,—"মই চিৰদিন আপোনাৰ।" এই কথা ফাকিত কমলাৰ আন্তৰিকতা কিমান আছিল কব নোৱাৰি। বীৰেনে কিন্তু অতি যতনেৰে কাগজছুখৰি-খৈ দিছিল। আজিও বাকচ ভালকৈ ঘুকুটি চালে কাগজখিনা ওলোৱাবে সম্ভৱ।

কিন্তু কিয় সিহঁত দুটাৰ বিয়া নহল? সেই কথাৰ প্ৰশ্ন উঠিলে মানুহে কয়, "বিদিৰ লিখন নাখাকিলে জোৰা লাগিব কেনেকৈ?" সি যি কি নহওক, বহুত কাৰণৰ ভিতৰত এটা কাৰণ আছিল বীৰেনৰ আৰ্থিক অৱস্থা। আজিলৈকে কাম-কাজৰ একো এটা সুবিধা হোৱা নাই। বীৰেনে আনুসঙ্গিক কাৰ্য্যকলাপৰ পৰা ভাবিবলৈ বাধ্য হল যে তাৰ কোনো সঙ্গীত নাই বুলিয়েই তালৈ কমলাক দিয়া নহল। তাৰ জীৱনৰ ওপৰত বিতৃষ্ণা জন্মিল।

সিফালে কমলাৰ অন্তৰতো শান্তি নাই :—"হায়, মানুহে পাঙে ঈশ্বৰে ভাঙে।" আকৌ কমলাই এছুখৰি চিঠি লিখি পঠিয়ালে,—"প্ৰিয়, মই কি কৰিম?" চিঠি পাই বীৰেনৰ বুকুখন কঁপি উঠিল। কিন্তু চিঠিখন ফালি পেলালে—কোৱ হয় উতলা হোৱাৰ ভয়ত।

কমলাৰ বিয়াৰ আগতে বীৰেনে ঘৰ এৰিলে। মানুহৰ আপত্ত কৈ গল কাম বিচাৰি খৈছে বুলি। গোৱাৰ আগতে বীৰেনে কমলাক এবাৰ দেখা কৰিছিল। কিবা কব খুজিছিল হবলা, একো কিন্তু কব নোৱাৰিলে। কমলাৰ মাকে কলে,—"বীৰেন, আক ছদিনৰ পাছত গলে নহয় নে?" বীৰেনে বৰ অকৰুণী বুলি সমিধান দিলে। মাৰৰ সময়ত কমলাক কৈ গল,—"মই যাওঁ।"

হিন্দুৰ মাক-বাপেকে লৰাক এজনী অচিনা ছোৱালীৰ হৈতে লগ লগাই দিয়ে। অচিন হলেও সিহঁত বেছ আপোন হৈ পৰে কিছু দিনৰ পিছত, দেহ-মনৰ আদান প্ৰদানত। অৱশ্যে দুই-এঠাইতে ইয়াৰ ব্যতিক্ৰমো যে নমটে এনে নহয়।

পূর্ণ উকিলৰ লগত কমলাৰ বিয়া হৈ গল। কমলাই ভাবিলে, "হিন্দু মই, তিবোতা মই, এই মতাৰ লগতে দিন কটাব লাগিব। গতিকে তেওঁকেই সেৱা কৰা, ভাল পাবলৈ চেষ্টা কৰা মোৰ কৰ্ত্তব্য।" তাৰো উপৰি কমলাৰ মতে বিবাহ এটি দৈবিক অনুষ্ঠান—কপালৰ লিখন। লাহে লাহে কমলা আৰু পূর্ণৰ মন মিলি আহিল। নিজকে নিজে চুহা ভাবিলে জীৱন সুখময় হব বুলি।

কমলাই বীৰেনৰ পৰা মাজে সময়ে চিঠি-পত্ৰ পায়। চিঠি দিয়াদি কৰে সৰল ভাৱেই, চুজন পৰিচিতৰ হিতৰত যি দৰে সচৰাচৰ হয়!

পূর্ণৰ এটা মহাদুখ হল, নতুনক কথামুখাকৈ আকোৱালি ধৰি। আধুনিক শিক্ষিত ডেকা। পাশ্চাত্য সভ্যতাৰ বং-চঙত পূর্ণই অমণা মূল্য দিয়ে—বিশেষকৈ পুৰুষৰ লগত তিবোতাৰ অবাধ মিলনৰ বিষয়ত। তেওঁৰ যুক্তি,—"নিভাঁজ আদান-প্ৰদানত দোষ কিহৰ? তিবোতাৰ সহীহ তো ফুঁতে উৰা বস্তু নহয়।" বিবেকে কিন্তু কেতিয়াব চিকোটে মাৰি কয়, "ঘিউ যে ছুইৰ তাগ পালে গলি যায়!" পূর্ণৰ সেইবোৰ কথা একাণে সোমায়, আন কাণে ওলাই যায়। পূর্ণই তেওঁৰ বন্ধুসকলক কমলাৰ

সৈতে ইংৰাজী ধৰণেৰে চিনা-পৰিচয় কৰাই দিলে। ফলত এয়ে হল যে পূর্ণ নাখাকিলেও তেওঁলোক অবাধে আহে-মেলে। পূর্ণৰ বিধৰা মাকে এনেবোৰ কথা ভাল নাপায়, পুতেকে কিন্তু বোৱাৰীয়েকে বেয়া পায় বুলি মুখ ফুটাই একো নকয়।

পূর্ণৰ পুৰণি বন্ধু ডাক্তৰ এজন বদলি হৈ আছিল। তেওঁ বিধাহিতা। কিন্তু বাৰ মাহত তেৰ বাৰকৈ দিহিঙে-দিপাঙে মুৰি ফুৰিব লাগে বুলি লগত পৰিয়াল নাৰাখে। মানুহজন দেখনিয়াৰ, আলাপী; গান-বাজনাতো তেওঁৰ হাত আছে।

পুৰণি বন্ধু। তাতে পূর্ণৰ বিষাত ডাক্তৰ বাবু আহিব পৰা নাছিল। মহা আনন্দ বন্ধু-মিলনত। সেই মিলন আৰু সুৰদি হল কমলাৰ সৈতে ডাক্তৰ বাবুৰ আলাপ পৰিচয়ত।

ডাক্তৰে এদিন কলে, "বেছ আধুনিক হে তোমাৰ ছিৰা!"

পূর্ণই কলে, "মই ভাই চুকৰ ভেকুলি ভাল নাপাওঁ। হিংহাতাবিনাক মুকলিমুৰীয়া হব লাগে। মতা মানুহৰ লগত কথা-বতৰা হলেই দোষ হব পাৰে নে?"

ডাক্তৰ বাবু পূর্ণৰ ঘৰলৈ আহে যাঝ অবাৰিত গতিত। কেতিয়াবা সন্ধিয়া বা গান এটাকে গায়। কেতিয়াবা হওকো দুই বন্ধু আৰু বন্ধু-পৰিবাৰ সাঙ্কা ভ্ৰমণলৈকে বাহিৰ হয়।

বৰ্ত্তমানে কমলা গা-পৰথীয়া। এদিন পূর্ণ আবেলি ঘুৰিবলৈ যৈছিল। অইন দিনা পূর্ণ দহ-এঘাৰ বজাতহে ঘৰলৈ ওভতে। তাচ-পাশাৰ আড্ডাত পৰিলে পূর্ণ বলিয়া। তাৰ বাবে বুঢ়া মাকে কত বুজালে, পূর্ণৰ কিন্তু স্বভাৰৰ পৰিবৰ্ত্তন নঘটিল।

সিদিনাখন পূর্ণ আঠমান বজাতে ঘৰলৈ উলটিল —তাচ খেলাৰ লগ সুমুটিল হেনো। পূর্ণৰ মাকে বাঙ্কনি-ঘৰত ভাত বাঢ়ি আছিল। লগতে চাকৰবোৰে লাউনি-পাচনিঘৰ কৰি দিছিল। বৰ-ঘৰত কমলা আৰু ডাক্তৰ বাবু।

পূর্ণই ঘৰ সোমাই যি দেখিবলৈ পালে তাক প্ৰথমতে সি বিশ্বাস কৰিব পৰা নাছিল। তাৰ মনতে ধিক্কাৰ আছিল—এয়ে তেওঁৰ কমলা! এয়ে তেওঁৰ বন্ধুৰ ব্যবহাৰ! ডাক্তৰ আচামীটোৰ দৰে ওচি গল। কমলাই উঠি কিবা কব খুজিছিল, কিন্তু পূর্ণৰ মূৰ্ত্তি দেখি কথা কবলৈ আৰু সাহ নহল। প্ৰাকৃত মুৰ সুমাই কান্দিবলৈ ধৰিলে। পূর্ণই যেমাৰি মানুহৰ দৰে চকি এখনত বহি পৰিল। মাত এখাবো কিন্তু মুখৰ পৰা নোলাল। কমলাৰ কান্দোন বাঢ়িল। বাঙ্কনি-ঘৰৰ পৰা মাকে কান্দোন শুনিবলৈ পালে। কি হৈছে বুলি এবাৰ সুদিলেহি। কেৱে কিন্তু সমিধান নিদিলে। মাক ওচি গল—ভাবিলে গিৰীয়েক যৈনীয়েকৰ মাজত এনেকৈ কত লাগে।

সিদিনাৰ পৰা ডাক্তৰে অহা বন্ধ কৰিলে। পূর্ণৰ মাকে পূর্ণক কলে, "তোৰ নিজৰ গাতেই দোষ। তইত আজিকালি চাহাবি হলি। তিবোতাক লাই দিয়াৰ সেয়ে ফল।"

পূর্ণই কিন্তু কমলাক শান্তি দিলে অচল-অটল ভাৱে। টেলিগ্ৰাফ কৰি মাকক মতাই অনালে।

কমলাৰ মাকে সুদিলে, মতোৱাৰ কাৰণ কি? পূর্ণই কলে, "জীয়েকেকে সোধক।" পূর্ণৰ মাকে বকলা মেলিলে। শেহত কলে,—"মোৰ লৰা লৰা হলেও ভাল আছিল।"

কমলাৰ মাকৰ কলিজা মৰি গল। কি কৰিব? বেয়া হলেও যে নিজৰ জীয়েক। জীয়েকক কান্দি-কাতি অনেক বকিলে। কলে, "তোৰ কপাল তই নিজেই খালি।"

পূর্ণই কমলাক হাতখনত ধৰি ভিতৰ কোঠালৈ লৈ গল। কমলাৰ ভয়ত জীউ উৰিল। কি বা কৰে গঙত! কমলাই কঁপি কঁপি কলে, "মোৰ পেটৰ পোৱালিটিৰ অনিষ্ট নকৰিব।"

পূর্ণই ছাবিকোছা লৈ গহণাৰ বাকচ, কানি-কাপোৰৰ বাকচ, এটা এটাকৈ সকলোবোৰ খুলি দিলে। কলে, "তোমাক যি যি লাগে ইচ্ছা মতে লৈ যোৱা।" কমলাই পূর্ণৰ ভবিত দীঘল দি পৰি কান্দিবলৈ ধৰিলে। পূর্ণই কিন্তু চাই বল শুষ্ক দৃষ্টিৰে ঘৰৰ মুদলৈ। চকুলৈ পানী আহিব খুজিছিল, চেষ্টা কৰিবেই আহিবলৈ নিদিলে।

পূৰ্ণই একেবাৰে কমলাক ৰেলত তুলি দি আহিল। কমলা জীয়া বাঁৰী হল। জনমলৈ কলঙ্ক আনিলে নিজৰ ওপৰত। পূৰ্ণক দি গল হিয়া-ভৰা বেথা আৰু তিৰোতাৰ ওপৰত এক অবিশ্বাস।

মাকৰ ঘৰত কমলাৰ লৰা এটি হল। লগে লগে আহিল দুৰ্দ্দিন অনেক উপসৰ্গ লৈ। টকা-কড়িৰ অভাৱ। যেই সেই প্ৰকাৰে থাকিবও নোৱাৰে। মধ্যবিত্ত শ্ৰেণীৰ এয়ে মহা বিপদ। অথচ কাৰো ওচৰত হাতো পাতিব নোৱাৰে। সকলোৱেই নাক সিঞৰাই উঠে, পতিতা সমাজ-ভ্ৰষ্টা বুলি।

এদিন গধূলি বিছনাত পৰি কমলাই নিজৰ কথা ভাবিব লাগিছে। কোলাত পিয়াহ খাই কেচুৱাটি। জুহালৰ ওচৰত মাক। তেৱোঁ কিবাকিবি ভাবি আছে। মুখত মাত নাই। নিস্তব্ধ। কেৱল মাজে মাজে কেচুৱাটিৰ ওহঁ-আঁহ। কমলাৰ মনত পৰিল বীৰেন বৰুৱালৈ। সেই তাহানিখনৰ বীৰেন বৰুৱা! এতিয়া তেওঁ চট্টগ্ৰামত ৰেল কোম্পানীৰ কাম কৰে। গিৰীয়েকৰ ঘৰত থাকোঁতেই এখন চিঠিত বীৰেনৰ সবিশেষ খবৰ পাইছিল।

পাছ দিনা কমলাই বীৰেনলৈ এখন চিঠি লিখিলে,—"আজি মোৰ জীৱন নিৰ্ব্বাহৰ উপায় নাই। কোলাত এটি কেচুৱা। আপোনাৰ দয়াৰ পাত্ৰী মই নহওঁ। তথাপি আপোনাৰ ওচৰত হাত পাতিলোঁ, অলপ আৰ্থিক সহায় পোৱাৰ আশাত। মই অইন কাৰো ওচৰত হাত পাতিব নোৱাৰোঁ। মই একেবাৰে সহায়হীনা।"

প্ৰথমতে বীৰেনে চিঠি পাই একো বুজিব নোৱাৰিলে। কমলাৰ ঘৰৰ ঠিকনাত চিঠি কিয়? গিৰীয়েকৰ ঘৰত নাই নে কি? কি হল কমলাৰ? কিন্তু বৰ আতুৰত পৰিছে ভাবি ৰূপ দহ টকা ডাকযোগে পঠাই দিলে।

বীৰেনে কমলাৰ বিষয়ে সকলো কথাৰ ভু লবলৈ ব্যগ্ৰ হৈ পৰিল। অত দিনে কমলাৰ কথাই বৰ দিগ দিব পৰা নাছিল। সঁচা কথা কবলৈ হলে, বীৰেনে কমলাক পাহৰিবলৈকে চেষ্টা কৰিছিল। কমলাৰ চিঠিয়ে কিন্তু বীৰেনৰ মনত এটা হেঁপাহ সুমুৱাই দিলে কমলাৰ সবিশেষ খবৰ জানিবলৈ। প্ৰকৃত ভালপোৱা বোধ হয় এনেকুৱাই—চিৰদিন অভগন অসলনীয়, তাৰ ৰূপান্তৰ নাই।

বীৰেনে ছুটী ললে। কমলাক কোনো খবৰ-বাতৰি নিদিয়াকৈ গপ কৰে এদিন কমলাৰ ঘৰ ওলালহি। কমলাই সম্ভাষণ জনালে কান্দোনেৰে। আবেলি ওলাই যাওঁতে বীৰেনে অইনৰ মুখে কমলাৰ সকলো কথাৰ গম পালে।

বীৰেনে মনত দুখ পালে। পুতৌ হল কিন্তু কমলালৈ সিমানে বেছিকৈ। তিন দিনৰ দিনা বীৰেনে কমলাক কলে,

—কমলা?

—কিয়।

—তুমি মোৰ লগত যাবাঁ?

—কলৈ বীৰেন দা?

—মই যলৈকে নিওঁ

—কিন্তু মই যে—।

—তুমি কি তাক মই জানো। সেইবোৰ মোক কব নালাগে। মোক লাগে, তুমি মোৰ লগত যাব পাৰাঁ নে নোৱাৰাঁ।

কমলাৰ চকুত পানীয়ে দেখা দিলে। অন্তৰ দোঁ খাই পৰিল বীৰেনৰ প্ৰতি শ্ৰদ্ধাৰে। কলে,

—কিন্তু সমাজে আপোনাক কি বুলিব?

—সমাজে আকৌ কি বুলিবৰ আছে? সমাজে তোমাক গ্ৰহণ কৰিব নোৱাৰে বাবেই তো মই তোমাক গ্ৰহণ কৰিবলৈ ওলাইছোঁ। মই বেছ বুজোঁ কমলা, সমাজত বিশৃঙ্খলা অনা বিবেচনাৰ কথা নহয়। সমাজখন এৰি গলেই তো সমাজ সংৰক্ষণ হল।

লৈ গল বীৰেনে কমলা আৰু মাকক সুদূৰ চট্টগ্ৰামলৈ।

চট্টগ্ৰামত বহুতো বৰুৱা আছে। কিন্তু সিহঁত বঙালী বৰুৱা। তাৰে মাজত এজন বৰুৱা আছে। তেওঁক সকলোৱে মাতে "বৰুৱা ডাংগৰীয়া" বুলি। এৱেঁই একমাত্ৰ অসমীয়া—আমাৰ বীৰেন বৰুৱা।

এদিন কমলাৰ লৰাটিক কোলাত লৈ, ঘৰৰ আগৰ আলিটোত বীৰেনে ইফাল সিফালকৈ ফুৰি আছিল। এজন বঙালী ভদ্ৰলোকে সুধিলে সেইটো কাৰ লৰা বুলি!

বীৰেনে উত্তৰ দিলে, "আমাৰ।"

হিমালয় পৰ্ব্বতৰ "দুৰ্জ্জয়-লিঙ্গ"ৰ ওপৰত এপষ

ভ্ৰমণ কাহিনী—

—শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা বি-এ

ইঞ্জিনিয়াৰিং কলেজৰ দৈনন্দিন জীৱনটো কেনে ধৰণৰ তাক সেই কলেজৰ ভাত হজম কৰি যোৱাজনৰ বাহিৰে অইনে বুজা টান। পুৱা ৬ বজাতে উঠি চকু-মুখ মোহাৰি কলেজ কৰিবলৈ যোৱাৰে পৰা গধূলি ঘূৰি আহি ঘৰ সোমোৱালৈকে পৃথিবীৰ ভিতৰতনো কি ঘটিছে তাৰ একো খবৰেই জানিব নোৱাৰি। ভৰ ৰ'দটো মূৰতলৈ কমাৰশালৰ উধানৰ আগত থিয় হৈ লো গৰম কৰি পিটি আহি ৪ বজাত যি দুই এগছা জা-জলপান পোৱা যায় তাকে সোহামাৰি মুখত গজি খেলা-পথাৰলৈ লৰ মাৰি যোৱালৈকে সকলো সময়তে বাহ্যিক জগতৰ পৰা আঁতৰি থকা হয়। তাৰ উপৰিও মাহেকে পষেকে কেৱল এদিন বা দুদিনহে ছুটি থাকে মাথোন। সকলোৱে



দাৰ্জ্জিলিং চহৰৰ মনোৰম দৃশ্য

ৰং ধেমালিৰে উপভোগ কৰা "চাবাথ ডে" অৰ্থাৎ দেওৱাৰ দিনটোও ভাল দৰে কটাব নোৱাৰি। অইন নেলাগে কেৱল ৪ মাইল দূৰৈত থকা বৃহৎ কলিকতা নগৰীলৈ গৈ সেই দিনা ৰং ধেমালি চাবলৈকো যাব নোৱাৰি,—যেনিবা নিজান ফাটকহে এই কলেজটো। মাহেকৰ মূৰত মাথোন এদিনহে কলিকতালৈ যাবলৈ দিয়া হয়—যদিও প্ৰায় সকলোৱেই লুকাই লুকাই সপ্তাহে পষেকে সুবিধা পালেই লৰ নমৰাকৈ নেথাকোঁ। এয়েই ইঞ্জিনিয়াৰিং কলেজৰ জীৱন! আৰু এই জীৱন লৈয়েই যোৱা ছমাহ মই চলি আহিব লগাত পৰিছিল।

এদিন পুৱা দোক্‌মোকালিতে উঠিয়েই হঠাৎ কাণত পৰিল কুলিৰ কু-উ, কুউ মাত! বাহিৰলৈ ওলাই গৈয়েই পালোঁ, কিছুদিনৰ আগে ফাগুনীয়া বতাহত পাত সৰি টকলা হৈ পৰা গছবোৰত আগদিনা বৰষুণৰ টোপাল পৰি কুঁহিপাতবোৰে ঠন ধৰি উঠিবলৈ ধৰিছে, তেতিয়া মনতে প্ৰশ্ন হল—"বাসন্তীৰ অভিষেকৰ দিন পালেহি নে কি?" দেখি মই লাহেকৈ আমাৰ ওচৰৰ ছাত্ৰাবাসৰ গাতে গা লাগি থকা বিখ্যাত "উদ্ভিদ-উদ্যান" (Royal Botanical Garden) লৈ খোজ ললো। তাত গৈ দেখিলোঁ যে সকলোৱে বাসন্তীৰ অভিষেকৰ কাৰণে আগ জাননী দিবলৈ ৰৈ আছে। ঠায়ে ঠায়ে আম আৰু জাম গছবোৰে মল ধৰি আৰু ভোট শিমলুৰ টকলা ডাল বোৰত ফুলা তুলা ওলাই চাৰিওফালে সিঁচৰিহৈ পৰি মাটিৰ ওপৰত বাসন্তী আইৰ কাৰণে কোমল ধবল বিছনা পাৰি থৈছে আৰু ইফালে সেন্দুৰীয়া আলিৰ কাষে কাষে থকা ছত্ৰৰূপধাৰী নাহৰৰ জোপবোৰে পুৰণি আভৰণ দলিয়াই পেলাই নতুন সাজ লৈছে। আনফালে দূৰে দূৰে আলেঙ্গে আলেঙ্গে লুকাই থকা এলাগী গোলাপী মদাৰে পলাশৰ লগে লগে ৰঙচুৱা ৰঙৰ ফুলেৰে ৰাঙলী হৈ পৰিছে আৰ ক'ৰবাৰ চুকে কোণে গছৰ গাত লাগি থকা কপৌফুলৰ গছেও এপাহি দুপাহিকৈ সৰু সৰু ঠোৰ আৰু ফুল মেলি দিবলৈ ধৰিছে। এইবোৰ দেখি শুনি বহুদিন অসমৰ পৰা আঁতৰি থকা এই অভাগাৰ অন্তৰত ৰঙালী ৰাংধালী বহাগী বিহুৰ উপভোগৰ পৰশ পৰিল যেন লাগিল। বহালৈ উভতি আহি দৈনিক-পঞ্জিকা অৰ্থাৎ কেলেণ্ডাৰ মেলি চাই দেখো যে :—

"বাহৰ আগত বগলী নাছে
আমাৰ বিহুলৈ এপৰ আছে।"

বিহুৰ নামটো মনলৈ আহিলতে উলাহ লাগিবলৈ ধৰিলে। আবেগতে হঠাৎ অন্তৰত বাজি উঠিল অসমৰ



দাৰ্জ্জিলিং—লাটভৱন আৰু কাঞ্চনজঙ্ঘা

গাৱে-ভূঁঞে, নগৰে-চহৰে সাত-বিহুৰ ডেকা গাভৰুৱে গাই ফুৰা টকা, ঢোল, পেপা বজাই নচা বিহু গীতটিলৈ!—

"অতি চেনেহৰে মুগাৰে মহুৰা
অতি চেনেহৰে মাকো।
অতি চেনেহৰে বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো" ॥

মোৰ মনটোৱেও হঠাৎ বিহুবলীয়া হৈ বিহু বিহু বুলি গাবলৈ ধৰিলে। ইয়াৰ ভিতৰত কলেজৰ প্ৰথম ঘণ্টা অৰ্থাৎ সাজ হোৱা ঘণ্টা (Warning bell) টোও পৰিল, লৰালৰিকৈ কিতাপ কিটা মেজৰপৰা বুতলি লৈ কলেজলৈ ঢাপলি মেলিলো—বাটে বাটে গুন্‌গুনাই গাই গ'লো :—

"আজি বিহু বিহু কালি বিহু বিহু
কেতিয়া ফুলিব নাহৰ,
কেতেকী চৰায়ে কাটে সৰু সুতা
মকৰা কাঠৰে যঁতৰ" ॥

কলেজলৈ গৈয়ো কমাৰশালৰ নিহালীৰ ওপৰত গৰম লো পেলাই হাতুৰীৰ কোবৰ ছেৱে ছেৱে গুনগুনাই গাবলৈ ধৰিলো—

"আজি বিহু বিহু কালি বিহু বিহু
.....
.....
.....

এই গ'ল মোৰ বিহু-বাউল মনৰ অৱস্থা। তাকে মোৰ ভ্ৰমণ-কাহিনীৰ পাতনিস্বৰূপে ব্যৱহাৰ কৰিছো এই কাৰণে, যে অসমীয়াৰ প্ৰাণত বিহুৰ আগমনৰ লগে লগে নতুন মানসা লৈ নিজ দেশলৈ গৈ ভাই-বন্ধু, ককাই বাইদেউ সকলৰ লগত দেখা সাক্ষাৎ হৈ সেৱা আলিঙ্গন জনাবলৈ হেপাহ হৈছিল মোৰ ছেগ পোৱা ভ্ৰমণ-যাত্ৰাৰ আয়োজনত। 'সাৰথি'ৰ লিখক বড়া ডাঙৰীয়াই 'ছেগ'ৰ বিষয়ে লিখি যোৱা প্ৰসিদ্ধ বাক্য শাৰীক মই অত্যন্ত বিশ্বাস কৰোঁ। বাস্তবিকতে "ছেগ ক্ষন্তেকীয়া"। ই কেতিয়া আহে আৰু কেতিয়া যায় কব নোৱাৰি। সেই কাৰণেই "অতি চেনেহৰ বহাগৰ বিহুটি"ৰ লগতে মোৰ আগন্তুক ভ্ৰমণ যাত্ৰাৰ ছেগটো বৰ হেপাহৰ হৈ উঠিল আৰু সেই ছেগ অনুযায়ীয়েই ঠিক কৰিলো যে এইবাৰ হিমালয় পৰ্ব্বতৰ ওপৰৰ "দুৰ্জ্জয়-লিঙ্গ"লৈ ইংৰাজীত যাক দাৰ্জ্জিলিং (Darjeeling)



জালাপাহাৰৰ পৰা বেলি পৰৰা সময়ত দেখা দাৰ্জ্জিলিঙৰ দৃশ্য

বোলে যোৱা হ'ক। আৰু সেইমতে সাজুও হলো।

ইংৰাজী ৯ এপ্ৰিল মঙ্গলবাৰে আমাৰ কলেজ এপৰলৈ

"বসন্তৰ ছুটী"ৰ (Spring holidays) কাৰণে বন্ধ হ'ল। তা'ৰ আগদিনাই মই দাৰ্জ্জিলিঙত থকা মোৰ অতি মৰমৰ সুমলীয়া বাইদেউলৈ চিঠি লিখিলোঁ যে মই ১০ তাৰিখ বুধবাৰে দুপৰীয়া সেইখিনি পামগৈ। এই



"দাৰ্জ্জিলিং হিমালয় ৰেলৱেৰ" দাৰ্জ্জিলিং ষ্টেশ্যন

খিনিতে উল্লেখ কৰা দৰ্কাৰ যে মোৰ সুমলীয়া ভিনীদেউ শ্ৰীযুত ৰাধিকা প্ৰসাদ বৰুৱা বি-এল দেৱে দাৰ্জ্জিলিঙৰ (ইম্পিৰিয়েলৰ বেঙ্ক্ অব্ ইণ্ডিয়াৰ উচ্চ বিষয়া) Stephen Mansion নামৰ প্ৰসিদ্ধ ঘৰটোৰ ১নং ফ্লেটত থাকে। উল্লেখ কৰা বাহুল্য মাথোন যে তেখেতে ভাৰতৰ বোম্বাই, কানপুৰ বুলণ্ডচহৰ, ৰংপুৰ, ডিব্ৰুগড় আৰু দাৰ্জ্জিলিং আদি বেলেগ বেলেগ ঠাইত ঘূৰি ফুৰিব লগীয়া হোৱাত তাৰ দুই এখন ঠাই চোৱাৰ সুবিধা মোৰো হৈছে আৰু সেই সুবিধা আৰু ছেগ লৈয়েই মই এইবাৰ দাৰ্জ্জিলিং চাবলৈ ওলালোঁ। দাৰ্জ্জিলিঙৰ আমাৰ কলেজত পঢ়া মিঃ জে, ই, ৰাজ। মিঃ ৰাজ্ কলিকতাৰ এজন প্ৰসিদ্ধ খেলুৱৈ আৰু আমাৰ কলেজৰ 'চেম্পিয়ন্'। তেওঁৰ লগত মোৰ ভাল ভাবো আছে; সেই কাৰণে তেওঁক মোৰ সহযাত্ৰী হিচাবে পাই বৰ ৰং পালোঁ।

সেই দিনা ৪ বজাত কলেজ ছুটী হোৱা মাত্ৰকে মিঃ ৰাজ্ আৰু মই দুয়ো ৪॥ বজাতেই কলিকতা মুৱা হৈ যাত্ৰা কৰিলো। মোৰ লগত হাওৰা ডিষ্ট্ৰীক্ট মেজিষ্ট্ৰেটৰ পৰা এখন চাৰ্টিফিকেটো ললো—যাতে শিলীগুড়ী আৰু দাৰ্জ্জিলিঙত মই পুলিচৰ হাতত একো অসুবিধা নেপাও। সাধাৰণতে দাৰ্জ্জিলিঙলৈ যাওতে ২৫ বছৰৰ তলৰ হিন্দু ডেকা গলেই লগত 'পাচপোৰ্ট' আৰু ফটো নিব লাগে। কিন্তু মোৰ হাতত থকা সেই চাৰ্টিফিকেটখনৰ কাৰণে সেইবোৰ একোৱে দৰ্কাৰ নহল। এই চাৰ্টিফিকেট খন পোৱাত কলেজৰ প্ৰিন্সিপেল মিঃ এ, মেক্‌ডনেল্ড চাহাবে চিঠিৰে কৰা সাহায্যৰ কাৰণে মই কৃতজ্ঞ। আমি আমাৰ লগৰ বস্তু বাহানিবোৰ নি শিয়ালদহ ষ্টেশ্যনৰ জিৰণি ঘৰতে থৈ কলিকতাৰ বন্ধুবান্ধৱৰ ওচৰলৈ ফুৰিবলৈ গলোঁ। গধূলি পৰত মই আমাৰ "অসম ক্লাবলৈ"কো এটা পাক মাৰিলো। তাতে ব্ৰতচাৰী আন্দোলনৰ প্ৰবৰ্ত্তক মিঃ জি এচ্ দত্ত আই, ছি, এচ দেৱ আৰু স্বৰ্গীয়া সৰোজনলিনী দেবীৰ একমাত্ৰ পুত্ৰ মিঃ বীৰেন্দ্ৰ সদয় দত্ত বাৰ, এট্ ল' দেৱক লগ পালো। তেখেতৰো দাৰ্জ্জিলিঙলৈ যোৱাৰ আৰু একেলগে আমাৰ লগতে থকাৰ কথা। সেই কাৰণে মোৰ হাততে তেখেতে ভিনীছি দেউলৈ এখন চিঠিও দি পঠালে—তেখেতৰ তালৈ যোৱাৰ খবৰ জনাই গধূলি প্ৰায় ৮ মান বজাত মই ষ্টেশ্যনত উপস্থিত হৈ দেখো যে মিঃ ৰাজে মোৰ টোপোলা টাপলি সকলোবোৰ নি এখন ইণ্টাৰ



পৰ্ব্বতৰ ওপৰেদি অকাই পকাই ৰেল উঠি যোৱাৰ মনোৰম দৃশ্য
দূৰৈৰ পৰা এটা কেৰেলুৱা বগাই যোৱা যেন দেখা গৈছে

ক্লাছৰ গাড়ীত ভৰাই সাজু হৈ আছে। ময়ো অগত্যা তেওঁৰ লগতে উঠি যাত্ৰা কৰিলো। মোৰ নানা ঠাই

ভ্ৰমণৰ ভিতৰত মধ্যম শ্ৰেণীত (Inter class) ভ্ৰমণ কৰা এয়েই প্ৰথম।

দাৰ্জ্জিলিং মেইল দ্ৰুতবেগে চলিবলৈ ধৰিলে। মোৰ অন্তৰ একালে যেনেকৈ নতুন ঠাই দেখাৰ আশাত আনন্দত পুলকিত হবলৈ ধৰিলে সেই দৰে আন



"দাৰ্জ্জিলিং হিমালয়ান ৰেলৱে" লাইনৰ ওপৰেদি ৰেলগাৰী পাহাড় বগাই উঠিব লাগিছে।

কালে বহুত দিনৰ মূৰত আৰু বিশেষকৈ নূতন বছৰৰ ৰাঙলী বিহুৰ সময়ত নিজৰ দেশলৈ যাব নোৱাৰাত বেয়াও লাগিছিল। সাতে পাচে আসন্ন আনন্দৰ আশা আৰু বিৰহৰ বেদনাৰ মাজত উটি বুৰি অন্তৰত কিছু মান আবেগৰ ভাব লৈ যাবলৈ ধৰিলো আৰু কিছুদূৰ গৈয়েই টোপনিৰ ডাঠ জালত মেৰ খাই পৰিলো। মাজত নো কি কি ষ্টেশ্যন পাৰহৈ গলো তাক কবই নোৱাৰিলো। পিছদিনা পুৱাৰ ঢলপোহৰতহে সাৰ পালো তেতিয়া আমি জলপাইগুড়ী ষ্টেশ্যন পাইছোগৈ, পুৱাৰ ফৰকাল বতৰত বসন্তৰ মনোৰম প্ৰাকৃতিক দৃশ্যই মনটো যদিও পুলকিত কৰি তুলিছিল তথাপি সেই ঠাইত প্ৰাচীন ইতিহাসৰ কথা ভাবি বেজাৰৰ হুমুনিয়া নেকাঢ়ি নোৱাৰিছিলো। হায়! এই জলপাইগুড়ী এসময়ত কামৰূপ ৰাজ্যৰ বিশেষ অঙ্গ আছিল, কামৰূপৰ ভাষা সাহিত্য সমাজ সভ্যতা ধৰ্ম্ম কৃষ্টি আদিৰ বিনন্দীয়া বানৰ পলস পৰি এই ঠাইৰ শ্ৰীবৃদ্ধিত সহায় কৰিছিল। আজি বিদেশী বিজাতৰীয়া বাবে বঙলুৱা সভ্যতা আৰু ভাষা সাহিত্যৰ বেবেৰিবাঙত পৰি এই সৰল চিতীয় আমাৰে জাতি ভাই সকলৰ নাজানো দেহি কি বিলাই খনেই নো ঘটিছে। এনে বিলাক ভাবৰ মাজতে আহি পালো শিলীগুড়ী ষ্টেশ্যন। এই ষ্টেশ্যনতে নামিব লাগে। আৰু এই শিলীগুড়ী ষ্টেশ্যনৰ পৰা দাৰ্জ্জিলিং ৫৩ মাইল। দাৰ্জ্জিলিঙৰ ৰেলৰ লাইন আমাৰ যোৰ হাট ৰেলৱেৰ দৰে, যদিও তাৰ লাইন বৰ ভাল আৰু উন্নত ধৰণৰ। সাধাৰণতঃ ৰেলৰ লাইন মটৰৰ আলিৰ কাষে কাষেই গৈছে আৰু মটৰ যোৱাত সময়ত ৰেলখনো ওচৰে ওচৰে চলা দেখা যায়। ৰেলৰ এইবাৰ মধ্যম শ্ৰেণীত ভ্ৰমণ কৰিছিলো যদিও মই এইটো সম্পূৰ্ণৰূপে অনুভৱ কৰিছিলো, যে ভ্ৰমণকাৰীয়ে ভ্ৰমণ অৱস্থাত তৃতীয় শ্ৰেণীৰ ভ্ৰমণকাৰীৰ সমান শিক্ষা আৰু অভিজ্ঞতা অইন কোনো শ্ৰেণীত নেপায়। মোৰ মতেৰে ওপৰ শ্ৰেণীত ভ্ৰমণ কৰা মানে এখন পাল্কীৰ মাজত সোমাই যোৱা। ভ্ৰমণৰ সুবিধা অসুবিধাৰ একো বিজনি আনিব নোৱাৰি, সেই কাৰণে আমাৰ সেই ৰেল ভ্ৰমণত মই বিশেষ পৰি তৃপ্তি একো নেপালো। কেৱল হেপাহ পলুৱাই শুৱলৈ পালো।



দাৰ্জ্জিলিংলৈ যোৱা ৰেলগাৰীখনে অকাই পকাই ঘুম ষ্টেচনৰ পৰা নামি গৈছে

ইং ১০ এপ্ৰেল বুধবাৰ পুৱা ৭ বজাত শিলীগুড়ী ষ্টেশ্যন পায়েই লগৰ বস্তু বাহানি বোৰৰ সৈতে আমি প্লেটফৰ্ম্মত নামি পৰিলো। ৰেলৰ পৰা নামিয়েই প্লেট

ফৰ্ম্মত আমাৰ কলেজৰে ৰসায়ন বিজ্ঞানৰ প্ৰধান অধ্যাপক মি, এন, সেনক সপৰিবাৰে লগ পালো। তেখেতে আমাক দেখিয়েই ওচৰলৈ মাতি নিলে আৰু কলে যে তেখেতো দাৰ্জ্জিলিঙলৈ যাব। আমি এখন মটৰত আটাই



দাৰ্জ্জিলিঙৰ সবাতোকৈ ওখ ঠাইত থকা তৃতীয়াৰ বৌদ্ধ মন্দিৰৰ দৃশ্য

কেইজন উঠি প্ৰায় ৮ মান বজাত ৰাওনা হলোহঁক উল্লেখ কৰা দৰকাৰ যে মি সেন আৰু মই দুয়ো দাৰ্জ্জিলিঙলৈ যোৱা এয়েই প্ৰথম। সেই কাৰণে বাটত পাই যোৱা সকলো বস্তুৱেই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। আমি প্ৰায় এমাইল মান মটৰত যোৱাৰ পিছতে গাত জাৰ লাগি আহিবলৈ ধৰিলে। প্ৰথম মাইলৰ খুটিৰ ভিতৰতে এখন নৈ পোৱা যায় এই নৈৰ নাম মহানদী। ক্ষন্তেকলৈ মনত পৰিল উৰিষ্যাৰ মাজে দি বৈ অহা মহানদী লৈ। এই নৈ পাৰ হৈ গৈয়েই বহু দূৰলৈ সমতলৰ ওপৰেদি গৈছে। তাৰ পিছত লাহে লাহে অকাই পকাই পৰ্ব্বতলৈ উঠিব লাগিছে লগতে কাষে কাষে ৰেলৰ আলিটো পৰ্ব্বতলৈ উঠাৰ আগতে যি ডোখৰ সমতল ঠাই পোৱা যায় তাত মানুহৰ বেছি বসতি নাই যদিও ঘোৰ ৰাতি ভালদৰে চালে প্ৰকৃতিৰ কাম্য কানন অসম যেন লাগে।

আমাৰ মটৰ (টেক্সি) পাহাড়ত বগাবলৈ আৰম্ভ কৰাৰ লগে লগে আলিৰ দুয়ো কাষে বহুত চাহ বাগিছা দেখিবলৈ পোৱা গল। বঙ্গলা দেশৰ মাজত সাধাৰণতে দেখিবলৈ নোপোৱা এই চাহ বাগিছা বোৰ দেখি অধ্যাপকজনে চাহৰ বিষয়ে মোক নানা কথা সুধিবলৈ ধৰিলে। যদিও মই চাহ নেখাও আৰু সেই কাৰণে চাহৰ বিষয়ে বেছি খবৰো নেৰাখো তথাপি চাহৰ দেশৰ লোক বুলিয়ে মই মিঃ সেনৰ আগত চাহৰ গুণ কীৰ্ত্তন কৰি প্ৰশ্নৰ উত্তৰ দিব লগীয়াত পৰিলো। তাৰ লগতে তেখেতৰ সৈতে আন নানা কথা পাতি যাওতে মাজে মাজে পৰ্ব্বতৰ মাজত দেখা নানা ধৰণৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি যাবলৈ ধৰিলো। কোনো কোনো ঠাইত আলিটো এনে ধৰণেৰে ঘূৰি ওপৰলৈ উঠিবলৈ ধৰে যে তললৈ চালে ভয়ে লাগে। যদিও এই সকলোবোৰে দেখিবলৈ প্ৰায় শ্বিলঙৰ আলিৰ নিচিনাই, দাৰ্জ্জিলিং আলিৰ এটি বিশেষত্ব এয়ে যে ই এটা নিৰ্দ্দিষ্ট নিয়মত ওপৰলৈ উঠি গৈছে—পৰ্ব্বতৰ ওপৰত শ্বিলঙৰ নিচিনা ঠাইতে উঠা ঠাইতে নমা নহয়।

এফুট দুফুট কৰি উঠি গৈ আমি গয়াবাৰী নামৰ ষ্টেশ্যন পালোগৈ। সেই ঠাই সাগৰৰ সমতলতকৈ ৪১০০



২৮,১৫৬ ফুট ওখ কাঞ্চনজঙ্ঘা টিঙৰ দৃশ্য—এই টিং দীঘলে ১৫ মাইলৰ পৰা ১৮ মাইললৈকে হব।

ফুট ওখ অৰ্থাৎ শ্বিলঙৰ কাছাৰী আৰু পোষ্ট অফিচ যিমান ওখ প্ৰায় তিমান ওখ পালোগৈ। তাতে মটৰ ৰাখি ড্ৰাইভাৰে আলিৰ পাছ ললে। যদিও সেই বাটত

শ্বিলং গুৱাহাটীৰ আলিৰ দৰে নিৰ্দ্দিষ্ট সময়তহে অহাযোৱা কৰিব পৰা ধৰা বন্ধা নিয়ম নাই তথাপি প্ৰত্যেক ষ্টেশ্যনতে মটৰ থামি আগৰ ষ্টেশ্যনলৈ যোৱাৰ আগতে এখন পাছ লব লাগে তাত সেই ডোখৰ বাটত কোন ফালৰ পৰা অহা কিমান মটৰ বা ৰেল লগ পাব তাৰ হিচাব দিয়া থাকে। যাতে মটৰ চালকে সেইবোৰ গাৰী লগ পাবলৈ আশা কৰি সতৰ্ক হৈ চলিব পাৰে। এই গয়াবাৰী ষ্টেশ্যনৰ পৰা একেটা পৰ্ব্বতৰ ওপৰেদি অকাই পকাই কেবা মাইলো ঘূৰা ঠাইকে ঘূৰি যাব লাগিছিল। চিধা চিধি হয়তো আগৰ ষ্টেশ্যন এমাইল দেৰ মাইল দূৰতে হব কিন্তু ৰেল আৰু মটৰৰ আলিটো ঘূৰি পকি যাওঁতে প্ৰায় ১০ মাইল মান হৈছে গৈ। কোনো কোনো ঠাইত ৰেলৰ আলিটোৱে এটা কক্ষৰ ভাজলৈ উঠিব লগাত পৰিছে। তেনেদৰে উঠাৰ সময়ত ৰেল গাৰীখন কেৰেলুৱা বগাই যোৱা যেনহে দেখি। কোনো ঠাইত ওপৰৰ পৰা তললৈ চাই পঠিয়ালে আমাৰ ভুবনেশ্বৰী পাহাৰৰ ওপৰৰ পৰা ভৰলু মুখৰ ফালেদি ৰেলখন যোৱা যেনে দেখা যায় ঠিক তেনেদৰেই দেখা যায়। এনে ধৰণৰ আলিবোৰ বান্ধোতে কিমান যে কষ্ট আৰু টকা ক্ষয় কৰা হৈছিল তাক ভাবিলেই আচৰিত যেন লাগে। কিন্তু আজি কালি বিজ্ঞান আৰু ইঞ্জিনিয়াৰিঙৰ দিনত অসম্ভৱ কামো সম্ভৱ হবলৈ ধৰিছে।



হিমালয়ৰ প্ৰসিদ্ধ টিং কাঞ্চনজঙ্ঘাৰ মনোৰম দৃশ্য।

ঠিক ৯ মান বজাতে কাৰচিয়াং (Kurseong) ষ্টেশ্যন পালোগৈ। এই ঠাইয়ে শিলীগুড়ীৰ পৰা দাৰ্জ্জিংলৈ যোৱা বাটৰ মাজ ঠাই—যেনে শ্বিলঙলৈ যাওঁতে পোৱা 'নংপু' আৰু মণিপুৰলৈ যাওঁতে পোৱা মাও। ই ৪৫০০ ফুট ওখ। ইয়াত বহুত দোকান পোহাৰ আছে আৰু ই এখন সৰু চহৰ যেন লাগে। স্বাস্থ্য হিচাবেও ঠাইখন বেচ ভাল আৰু সেইকাৰণে তাত যক্ষ্মা বেমাৰৰ কাৰণে এখন চেনিটৰিয়াম খোলাৰ কথা বঙ্গ গৱৰ্ণমেণ্টে পাঙিছে। আমি তাত প্ৰায় আধাঘণ্টা সময় জিৰাই আকৌ যাত্ৰা কৰিলোঁ॥ তাৰ পৰা কিছুদূৰ গৈয়েই টুং (Tung) নামৰ ষ্টেশ্যনটো পালোঁগৈ। ই ৫৬০০ ফুট ওখ। ইয়াৰ ষ্টেশ্যনটোতে বহুত মগনিয়াৰ বহি থাকে আৰু ৰেল বা মটৰ আহি পালেই সিহঁতে যাত্ৰীৰ ওচৰত ভিক্ষা মাগেহি। সাধাৰণতে কণা কুজা লেঙ্গুৰ ভেঙুৰ ধৰণৰ মগনিয়াৰৰ সংখ্যাহে তাত বেছি দেখা যায়। টুং পাৰহৈ যোৱাৰ পিছতে অত তত দুই চাৰিটা ভূতীয় আৰু নেপালীৰ ঘৰ দেখিবলৈ পোৱা গৈছিল। কিন্তু সেই মানুহবোৰে অতি কষ্টেৰেহে তাতে বাস কৰে। চাৰিওফালে হাবিময় আৰু অসমান তাৰ পাছৰ ষ্টেশ্যনৰ নাম ঘুম (Ghum) ইও এখন সৰু চহৰৰ নিচিনা। ইয়াত দোকান পোহাৰ কেঞা মুদৈ



ডাৱৰীয়া গোমোৱা বতৰত—কাঞ্চনজঙ্ঘা

বহুত আছে। ই দাৰ্জ্জিলিঙৰ পৰা ৪॥ মাইল দূৰ আৰু বহু ওপৰত অৱস্থিত। ৰেলৰ ষ্টেশ্যনৰ ভিতৰত এই ঘুমেই পৃথিবীৰ ভিতৰত সবাতকৈ ওখ ঠাইত অৱস্থিত বুলি কয়। দাৰ্জ্জিলিঙতকৈ ই প্ৰায় এহেজাৰ ফুটতকৈও ওখ হব। আমি ঘুম প্ৰায় ৯॥ মান বজাত পালোঁগৈ। তাৰ পৰা এটা পাক ঘূৰিলেই দূৰৰ পৰা দাৰ্জ্জিলিঙৰ সাধাৰণ দৃশ্য দেখিবলৈ পোৱা যায়। আমি দূৰৈৰ দাৰ্জ্জিলিঙৰ দৃশ্য দেখিয়েই অপাৰ আনন্দ পাবলৈ ধৰিলো। আমাৰ আনন্দৰ মাত্ৰা আৰু বঢ়াইছিল ফৰকাল বতৰে। মানুহে কয়, আমি যোৱা সময়তেই অৰ্থাৎ ইষ্টাৰৰ বন্ধৰ সময়তে দাৰ্জ্জিলিঙ সকলো সময়তকৈ বেছি সুন্দৰ হৈ পৰে। তাকে মনত আলচি আমি দাৰ্জ্জিলিঙৰ ওচৰ পোৱাৰ লগে লগে মোৰ মন উলাহতে উগুল-থুগুল লাগিবলৈ ধৰিলে।



বৰফময় পৰ্ব্বত শ্ৰেণীৰ ভিতৰত—কাঞ্চনজঙ্ঘা

দহবাজি পোন্ধৰ মিনিট যাওতো আমি দাৰ্জ্জিলিঙৰ ষ্টেশ্যন পালোঁগৈ। তেতিয়াও ৰেল পোৱাগৈ নাই—ৰেল বাৰ বাজি পোন্ধৰ মিনিট যোৱাতহে সেই খিনি পায়গৈ আমি আগতে গৈ নিৰ্দ্দিষ্ট ঠাইত নামোতেই চাৰিওফালৰ পৰা মতা-মাইকী, ডেকা-গাভৰু ভূতীয়া আৰু নেপালী কুলীবোৰে আমাৰ মালবোৰ টনা আজোৰা কৰি আমাক ঘেৰি ধৰিলেহি। মোৰ মাল নিয়ালৈ এজনী ভূতীয়া মাইকী আৰু এটা নেপালী মতাৰ ভালদৰেই কাজিয়া লাগিল। মই যেনিবা মাজতে সোমাই মাইকীজনীকে দি বাইদেউহঁত থকা ষ্টিফেন মেন্সনলৈ আগ বাঢ়িলো। কিছুদূৰ গৈয়েই দেখো, মোৰ বাইদেৱে দুগৰাকী মানুহৰ লগত আগবাঢ়ি আহিব লাগিছে বাইদেউক বহুত দিনৰ মূৰত লগ পাই কি আনন্দ যে পালো!

মই দাৰ্জ্জিলিঙলৈ যাওঁতে বাটত বৰ জাৰ লাগি যাবলৈ ধৰিছিল। আৰু দাৰ্জ্জিলিঙ পাওঁতে জাৰতে কঁপিবলৈ ধৰিলো- যেনিবা পুহমহীয়া ঠেটুৱা ধৰা জাৰহে। এই সময়ত ইমান জাৰ পাম বুলি কেতিয়াও ভবা নাছিলো আৰু সেই কাৰণে গৰম কাপোৰো বেছি একো নিয়া নাছিলোঁ। কিন্তু সেই খিনি পাই জাৰৰ মূৰ্ত্তি দেখিয়েই চুৰ্ত্তি হেৰাল। সেই দিনা আৰু বাহিৰলৈ ওলাবলৈকে নহল। পিছদিনা পুৱাই উঠিয়েই ফুৰিবলৈ গলো। আমাৰ ঘৰৰ ওচৰেদি এটা আলি ঘূৰি আহিছে। ইয়াক মেল ৰোড (Mall Road) বোলে। সেই আলিৰে গৈ সৰু টিলা এটাৰ মূৰ পাওঁতে তললৈ চাই পঠিয়ালে বিখ্যাতলেবং (Lebong) ঘোৰদৌৰৰ পথাৰ দেখা যায়।

দাৰ্জ্জিলিঙৰ এই মেল ৰোডৰ পৰাই দূৰৈত থকা কাঞ্চণ জঙ্ঘাৰ টিংবিলাক চকমকাই থকা দেখা যায়। ফৰকাল বতৰৰ পুৱা বেলিকা বৰফময় কাঞ্চন জঙ্ঘা আৰু অন্য অন্য টিংবোৰ দেখিবলৈ বৰ ধুনীয় হৈ পৰে আৰু সেই টিঙ্‌বোৰ দাৰ্জ্জিলিঙৰ পৰা নিচেই ওচৰতে থকা যেন লাগে। মেল ৰোড (Mall Road) টো দেখিলে আমাৰ শ্বিলঙৰ কেঞ্চেষ্ট্ৰেচ' আৰু কহিমাৰ অবজাৰভেটৰী ৰাউণ্ডটোলৈ মনত পৰে। এই আলিৰ মূৰতে লাট ভৱন। ইয়াৰ আগত সদায়েই সজ্জিত চিপাহী-চন্তৰী আৰু অনেক ভেশছন ধৰা চোৰাং চোৱা পোৱা যায়। কোনোবা মানুহৰ চলন ফুৰণ, কেতিয়াবা সন্দেহ হলে সেই চিপাহী বা চোৰাং চোৱাই গ্ৰেপ্তাৰ কৰি নিয়ে। এই খিনিতে উল্লেখ কৰি থওঁ যে মই দৰ্জ্জিলিঙত থকা কাল ডোখৰত কোনেও মোৰ পাচপোৰ্ট চাবলৈ বা অন্য আতি গুৰি সুধিবলৈ একো অনুসন্ধান কৰা নাছিল। তাৰ কাৰণ কেবাটাও হব পাৰে। তাৰ ভিতৰত প্ৰধান বুলি ইয়াকে ভাবো যে মোৰ ধৰণ কৰণে, পিন্ধনে উৰণে

সকলো বিষয়তে অবঙালীহেন দেখি বোধকৰো কোনেও সন্দেহ কৰা নাছিল। নহলে পুলিচ আৰু চোৰাং চোৱাই পাছ নেৰিলেহেঁতেন। তাতে আকৌ তেতিয়া গৱৰ্ণৰ তাত থকাৰ কাল। মই চোৰাংচোৱা বা পুলিছৰ দৃষ্টিত নপৰাত অত্যন্ত আনন্দ পালো এই কাৰণেই যে মোক অবঙালী বুলি তেওঁলোকে বুজিছে।

দাৰ্জ্জিলিং এখন ডাঙৰ পৰ্ব্বতীয়া নগৰ। ইয়াক সাধাৰণতে তিনিটা ভাগত ভগোৱা। চৌ-ৰাস্তাৰ ওচৰৰ চুৰা, জালা পাহাৰ (Jalapahar) আৰু কাটাপাহাৰ (Katapahar) নামৰ তিনিটা চুবুৰী আছে। তাৰ ভিতৰত আগৰ টোত সকলো চৰকাৰী বোৰৰ অফিচ, লাট ভৱন আৰু ডাঙৰ ডাঙৰ দোকান পোহাৰ, বজাৰ আৰু ছবিঘৰ দুটা আছে। এই চুবুৰীৰ মাজেদি মেকেঞ্জী (Mackenzi road) ৰোডটোৱেই প্ৰধান আলি আৰু তাৰ ওপৰেদি মটৰ অহা যোৱা কৰে। এই মেটৰবাৰ সেই আলিৰ প্লেণ্টৰছ ক্লাব (Planters club) লৈকে অহাযোৱা কৰিব পাৰে। তাৰ ওপৰলৈ উঠিবলৈ দিয়া নহয়—কেৱল লাটচাহাবৰ মটৰ আৰু মিউনিচিপিলেটিৰ আলিত পানী দিয়া মটৰহে যাব পাৰে। আমি থকা ষ্টিফেন মেনচনলৈকো মটৰ নচলে। আন চুবুৰী দুটা অৰ্থাৎ জালাপাহাৰ আৰু কটা পাহাৰত কেৱল মিলিটেৰী বাৰাক অৰ্থাৎ সৈন্য বাহিনীৰ ছাউনি আৰু 'চেণ্ট পলচ, (St Pauls) স্কুল আদি খৃষ্টিয়ান মিচনাৰীৰ ঘৰ বাৰী আছে। জালাপাহাৰৰ পৰাও হিমালয়ৰ ওখ ওখ টিংবোৰৰ দৃশ্য অতি সুন্দৰকৈ দেখা যায় আৰু দাৰ্জ্জিলিং চহৰখনৰ দৃশ্য অত্যন্ত মনোৰম হৈ গধূলি ওলাই পৰে।

দাৰ্জ্জিলিঙৰ চৌ ৰাস্তাৰ মূৰত এটা ওখ টিলা আছে। এই টিলাটোক অবজাৰভেটৰী হিল বোলে। এই টিলাটো বেঢ়িয়েই ওপৰত উল্লেখ কৰা মেল ৰোড (Mall road) টো অৱস্থিত। এই টিলাৰ একেবাৰে ওপৰত ভূতীয়া বোৰৰ এটা বৌদ্ধ মন্দিৰ আছে। এই বৌদ্ধ মন্দিৰত হিন্দু আৰু বৌদ্ধ ধৰ্ম্মাৱলম্বী মানুহেই পূজা সেৱা কৰে। মন্দিৰৰ বেদীৰ চাৰিও ফালে ওখ ওখ বাহৰ অলেখ ধ্বজা স্তম্ভ পোতা আছে। এনে ধ্বজাস্তম্ভ ভূতীয়া আৰু নেপালী মানুহৰ ঘৰে ঘৰে দেখিবলৈ পোৱা যায়। এই ধ্বজাস্তম্ভবোৰত অনেক শ্লোক মন্ত্ৰ দীঘলীয়া কাপোৰত লিখি এন্ধাৰ ৰাতি পোতা হয় আৰু এইদৰে পুতিলে ভূতৰ উপদ্ৰৱ নহয় বুলি তেওঁলোকে ভাবে। দাৰ্জ্জিলিং চহৰৰ ভিতৰত চাৰিওফালে এনে ধৰণৰ ধ্বজাস্তম্ভ দেখিবলৈ পোৱা যায়। বৌদ্ধ মন্দিৰৰ গাতে গা লগাই ওচৰতে এখন কালীবাৰীও আছে। তাতো পূজা পাতল চলি থাকে। তাৰ ওচৰৰ এচুকত দাৰ্জ্জিলিঙৰ পৰা দেখা হিমালয়ৰ বেলেগ বেলেগ টিঙৰ দৃশ্য ঠিক অনুযায়ী ঘূৰণীয়া পাত্ৰ এটাত ৰখা হৈছে, তাত টিং কিমান দূৰত আৰু কিমান ফুট ওখ সকলো লিখা আছে। সেই ফটোবোৰ চালে সকলোবোৰ টিঙৰ অৱস্থিতিৰ বিষয়ে জানিব



ধুমুহা বৰষুণৰ আগত দূৰৈত পৰ্ব্বতৰ শ্ৰেণীৰ ভয়াবহ দৃশ্য

পৰা যায় আৰু দাৰ্জ্জিলিঙৰ চাৰিফালে থকা সকলো টিঙৰ দৃশ্য দেখা পোৱা যায়। এনে ধৰণৰ 'অৱজাৰভেটৰী হিল' (Observatory hill) ত্ৰিভাঙ্কুৰ ৰাজাৰ ৰাজধানী ত্ৰিভান্দ্ৰামত দেখা পোৱা মনত পৰে। টিলাটোৰ পৰা অলপ তললৈ নামিলেই সোঁহাতলৈ এটি সৰু বাট নামি যোৱা দেখা পোৱা যায়। সেই বাটেদি কেইজনমান নামি গলেই এটা ডাঙৰ গুহা দেখিবলৈ পোৱা যায়। এই গুহাটোৰ নাম "মহাকাল" গুহা বোলে। মানুহৰ মুখৰ পৰা শুনা যায় যে এই গুহাৰ পৰা চীনদেশলৈ তলে তলে যোৱা এটা বাট আছে। অৱশ্যে আমি সেই ধোন্দটো কিছুদূৰলৈকে

সোমাই যোৱা দেখা পাইছিলো; কিন্তু সেই ধোন্দটো চীনদেশ পাইছেগৈনে নাই, কব নোৱাৰোঁ। তেনেধৰণৰ কথাত বিশ্বাস নকৰিলেও এইটো সম্ভৱপৰ হব পাৰে যে কিছুদূৰলৈকে সেই বাট পাহাৰৰ তলে তলে গৈ তাৰ পৰা



প্ৰায় ৮।১০ বছৰৰ মূৰত যোৱা জাৰকালি দাৰ্জ্জিলিঙত ভীষণৰূপে পৰা বৰফৰ দৃশ্য।

পৰ্ব্বতৰ ওপৰেদি তিব্বত পাৰ হৈ চীনদেশ পোৱাৰ বাট থাকিব পাৰে। এতেকে সেই বিষয়ে বেছি আলোচনা কৰা অনাৱশ্যক। আমি মুঠে গুহাটো ধোন্দটোৰ সৈতে দেখি আহিলো আৰু তাত অনেক সৰু সৰু শিৱলিঙ্গও দেখিবলৈ পালোঁ। তাৰ লগতে এটা ডাঙৰ শিৱলিঙ্গৰ গাত ভস্ম, সেন্দুৰ আদি ঘঁহি ফুল পাত দি ধন ঘটাৰ বাট কৰি থোৱা হৈছে! হায়! আমাৰ ধৰ্ম্মৰ দেকোনীৱোৰৰ প্ৰতাপত হাবিয়ে পাহাৰে লুকাই থকা গুহা এটায়ো তত নেপায়—তাতো তীৰ্থস্থান স্থাপন কৰি আহিছেগৈ।

দাৰ্জ্জিলিঙৰ নামনিত জেলখান আৰু তাৰ ওপৰত এখন 'উদ্ভিদ উদ্যান' (Botanical garden) আছে। এই উদ্যান আমাৰ কলেজৰ ওচৰত থকা Royal Botanical gardenৰ সমান ডাঙৰ নহলেও গছ-ফুল-লতা আদিৰ অভাৱ নাই। তাত যথেষ্ট ৰকমৰ ফলদায়ক গছো ৰখা হৈছে। দেখা গ'ল বঙ্গদেশৰ ভিতৰতে এনেদৰে দুখন উদ্ভিদ উদ্যান ৰখা হৈছে—সম্পূৰ্ণ গৱৰ্ণমেণ্টৰ খৰচত। ইফালে অসমৰ নিচিনা কাম্যকানন এখনত তেনেধৰণৰ এখনো উদ্যান ৰখাৰ দিহা হোৱা নাই! ই বাস্তবিকতে বৰ পৰিতাপৰ কথা। সেই উদ্যানৰ পাছফালেদি বিখ্যাত ইডেন চেনিটেৰীয়াম' আৰু 'ইডেন হাস্পাতাল'ৰ অট্টালিকা। দাৰ্জ্জিলিঙৰ ভিতৰত এই ঘৰটো দেখিবলৈ বৰ ভাল যেন লাগিল। তাৰ ভিতৰলৈ যাবৰ দৰ্কাৰ হৈ পৰিছিল—আমাৰ 'অসম ক্লাৱৰ' সভাপতি মিঃ এচ, কে দত্ত বাৰ্-এট-ল দেৱ থকাৰ কাৰণে সুবিধা কৰিবলৈ। অৱশ্যে পিছত তেখেতৰ যোৱা নহল। ইয়াৰ বাহিৰেও তাত অনেক হোটেল আৰু ভাৰাত পোৱা ঘৰ আছে। সেইবোৰৰ ভিতৰত Mount Everest Hotel টো প্ৰধান। তাত দুটা ছবিঘৰো আছে। এটাৰ নাম এল্‌ফিন্‌ষ্টোন (Elphinstone) আৰু আনটোৰ নাম Capital আমি এদিন The Ghoul নামৰ ছবিখন চাইছিলো। আৰু তাত থকা Ghoul মূৰ্ত্তি আমাৰ মনলৈ পিছতো আহি আছিল।

মই পোৱাৰ দুদিনমানৰ পিছতেই ওপৰত উল্লেখ কৰি অহা বন্ধুবৰ মিঃ বীৰেন্দ্ৰ সদয় দত্ত বাৰ-এট-ল ওলালগৈ। তেখেতক পাই বৰ ভাল পালো। তেখেত এজন উৎসাহী ডেকা আৰু তেখেতৰ লগত ফুৰা কালডোখৰ সদায় প্ৰফুল্ল



জাৰকালি গছে-পাতে লাগি থকা বৰফৰ দৃশ্য

মনেৰেই থকা গৈছিল—ডাইনিং টেবোলৰ টেবোল টকৰ (Table) ফুৰা মেলা সকলো সময়তে তেখেতৰ

লগত ৰং ধেমালি কৰাতেই সময় গৈছিল। তাৰ উপৰিও তেখেতৰ গাত এটা গুণ আছে যি গুণৰ পৰা তেখেতে সকলোৰে ওচৰত আদৰণীয় হৈ উঠিব পাৰে। সেইটো হৈছে তেখেতৰ লৰালিমতীয়া স্বভাৱ। খোৱা লোৱা, ফুৰা চকা সকলো সময়তে তেখেতক লগৰ সঙ্গী হিচাবে পাই মোৰ দিন কেটা বৰ উপভোগ্য হৈ পৰিছিল আৰু তেখেতৰ যোগেদি অনেক ডেকাৰ লগত চিনাজনা হোৱাৰ সুবিধা হৈছিল। তাৰ ভিতৰত ইঞ্জিনিয়াৰ মিঃ এচ দাস বি-এচ-চি (গ্লাচগো) ইঞ্জিনিয়াৰ মিঃ এ, দত্ত বি-এচ-চি (গ্লাচগো) ইঞ্জিনিয়াৰ মিঃ পি, গুহ বি-ই মিঃ এন ৰায় চৌধুৰী আদিয়েই প্ৰধান। এই লগৰীয়া সকলৰ লগত ফুৰা চকা কথা বাৰ্ত্তাত নানা বিষয়ত আলোচনা হৈছিল, আৰু তাৰ ভিতৰত পদব্ৰজে নানা ঠাই ফুৰাৰ



বেলিমাৰ যোৱাৰ সময়ত হোৱা ধুমুহাত ভয়াবহ দৃশ্য

বিষয়েও প্ৰস্তাৱ চলিছিল। আন সকলোবোৰ আলোচনাৰ ভিতৰত মই সেই পদব্ৰজে ঠাই ফুৰা প্ৰস্তাৱত বেছিকৈ যোগ দিছিলো—কাৰণ সি মোৰ ৰুচিকৰ বিষয়। মোৰ নিতান্ত ইচ্ছা অনুযায়ী মই দুৰ্জ্জয় লিঙ্গত এপক্ষ কাল কটাই ঘূৰি আহিবৰ দুদিনৰ আগতে আমি পদব্ৰজে এডোখৰ চাবলগীয়া ঠাই চাই আহিলোঁগৈ। সেইডোখৰ হৈছে চিকিম ৰাজ্যৰ মাঞ্জীটাৰ নামে অতি ধুনীয়া ঠাইখন। এই বিষয়ে অহা সংখ্যা আৱাহনত সচিত্ৰ প্ৰবন্ধ এটা লিখিবলৈ ইচ্ছা থাকিল। আমাৰ দলটোত আমি পাচ জন আছিলো আৰু এটাই কিজন প্ৰায় সমবয়সীয়া হোৱাত আমাৰ ভিতৰৰ কথা বাৰ্ত্তা উপাদেয় হৈ পৰিছিল।

মিঃ দত্তৰ লগত ঘোৰাতো উঠা হৈছিল। মিঃ দত্ত এদিন এৰি এদিন সদায়েই ঘোৰাত উঠিছিল। ঘোৰাত উঠা এটি তাত এটা বিশেষ চখৰ কাম। মতা মাইকী গাভৰু ভাৰতীয় ইংৰাজ সকলোৱে পুৱা ঘোৰাত উঠি নগৰখনত পাক মাৰে। মোৰ বাইদেউ ভিনীদেহিও আদিৰো তাত ঘোৰাত উঠা অভ্যাস। অসমীয়া ছোৱালী বা তিৰোতাই এনে দৰে ঘোৰাত উঠা দেখিলে মনত অপাৰ আনন্দ জন্মে। মোৰ বাই দেউৰ এই বিষয়ত দক্ষতা দেখি সঁচাকৈ গৌৰৱ অনুভৱ কৰিছো। আমাৰ লৰা ছোৱালী ডেকা গাভৰু বোৰে সকলো ৰকমৰ শিক্ষা পোৱা উচিত যাতে তেওঁলোকৰ মন উন্নত হোৱাৰ লগে লগে শৰীৰ আৰু কাৰ্য্য দক্ষ হৈ উঠে। কোনো জাতিৰে জাতীয় যোগ্যতা অকল লিখা পঢ়াতে সীমা বদ্ধ নহয় শাৰীৰিক উৎকৰ্ষতাও জাতীয় যোগ্যতাৰ এটা বিশেষ অঙ্গ। অসমীয়া মতা মাইকী লৰা ছোৱালী ডেকা গাভৰু সকলো প্ৰকাৰৰ মানসিক বিকাশৰ বাবে চেষ্টা কৰাৰ লগে লগে আত্ম ৰক্ষাৰ কৌশলো শিকিব লাগে। শাৰীৰিক যোগ্যত কোন আৱস্থাতে হেয় নহয় বৰং সকলো যোগ্যতাৰ আগতে আৱশ্যকীয়।

দাৰ্জ্জিলিং পৰা প্ৰায় ছ মাইল দূৰৈত চেনচল (Sanchal) নামে এডোখৰ ঠাই আছে। তালৈ মই মই এদিন পুৱা খোজ কাঢ়ি গৈছিলো। ওপৰৰ উল্লেখ কৰা ঘুম ষ্টেচনৰ ওচৰেদি। এটা আলিয়ে দি গলেই এখন ওখ পাহাৰ পোৱা যায়। সেই পাহাৰ ৮৫৯৯ ফুট ওখ মই উৱাদিহ নোহোৱাকৈ এনেই খোজ কাঢ়ি থাকোতেই বাটতে ১০১২ বছৰীয়া চেণ্ট পলচ স্কুলৰ ৪।৫ টা মান স্কাউট পালোঁ। তাৰ ভিতৰত দুটা ভাৰতীয় লৰা আৰু তিনিটা চাহাবৰ লৰা। তেওঁলোকৰ লগত কথা বাৰ্ত্তা পাতি যাবলৈ ধৰিলোঁ। তেওঁলোকৰ স্কাউট মাষ্টাৰ জনে আন স্কাউট বোৰৰ সৈতে কেম্প কৰি আছে। তেওঁলোকে তালৈকে যায়। ময়ো তেওঁলোকৰ

লগত নানা ধৰণৰ পাতল কথা পাতি যাবলৈ ধৰিলো আৰু সেই সকলৰ নিমন্ত্ৰণতে গৈ কেম্প পালোগৈ। কেম্পত যে স্কাউট মাষ্টৰে মাংস কুটি খোৱাৰ দিহা কৰিছে, মোক পাই স্কাউট বোৰে আৰু মাষ্টৰে বৰ ভাল পালে আৰু ময়ো তেওঁলোকৰ আগত এজন স্কাউট ভ্ৰমণকাৰী বুলিয়েই চিনাকি দিলো। নানা ধৰণৰ ৰংধেমালী আৰু গান বাজনাৰে আমি তাত বনভোজ খালো—যদিও ভোজৰ মাংস আছিল খেদি মৰা এটা ডাঙৰ শিয়ালৰ মাংস। মই খাবৰ সময়তহে সেইকথাটো গম পালো। আৰু সেই কাৰণে যদিও মই একো ঘিণ কৰা নাছিলো তথাপি নোখোৱা জন্তু এটাৰ মাংস খাই অলপ কিবা কিবা লাগিছিল। যি হওক মই তেওঁ নোখোৱা জন্তুৰ মাংসৰ সোৱাদ ললোঁ।



দাৰ্জ্জিলিঙত ঘোৰা উঠা দৃশ্য

(সোফালৰ পৰা)—(১) ইঞ্জিনিয়াৰ মিঃ এচ্ দাস, (২) মোৰ নুমলীয়া বাইদেউ শ্ৰীযুতা শচী বৰুৱা। (৩) মিচ্ দাস (মিঃ দাসৰ ভনীয়েক) (৪) মোৰ নুমলীয়া ভিনিহিদেউ শ্ৰীযুত ৰাধিকা প্ৰসাদ বৰুৱা।

মই সেই স্কাউট সকলৰ লগত বৰ আমোদ প্ৰমোদ আৰু ৰং ধেমালিৰে কটাওতেই প্ৰায় ১ বাজি গ'ল। ইফালে ঘৰত বাইদেউহঁতে মোলৈ ৰৈ থাকিব বুলি অতি বেজাৰেৰে স্কাউট ভাইহঁতক এৰি বিদায় মাগিব লগাত পৰিলো। মোৰ সেই আনন্দ স্মৃতি ৰক্ষাৰ কাৰণে পোণপ্ৰথমতে লগপোৱা চাৰিটি স্কাউটৰ নাম মোৰ টোকা বহিত লিখি আনিলো। ইংৰাজ স্কুলৰ শিক্ষাৰ আদৰ্শ দেখি মই মোহিত হলোঁ।

চয়নচিলৰ পৰা নামি উভতি আহোঁতেই বাটতে এজন বুঢ়াবয়সীয়া ইংৰাজৰ লগ পালো। তেৱো ইষ্টাৰৰ বন্ধত দাৰ্জ্জিলিঙলৈ গৈ সেই দিনা চানচলত গল্‌ফ খেলিবলৈ গৈছিল। তেওঁক বাটতে লগ পাই নানা কথা বাৰ্ত্তা হৈ আহিবলৈ ধৰিলো। তেখেতে ই, আই ৰেলৰ এজন উচ্চ বিষয়া বুলি তেওঁৰ পৰাই জানিব পাৰিলোঁ আৰু মহাসমৰৰ সময়ত মেচোপটিমিয়ালৈ গৈছিল বুলি তেখেতে কলে। যুদ্ধৰ বিষয়ে তেখেতৰ নিজ অভিজ্ঞতাৰ কথা শুনি বৰ ভাল লাগিল, ইতি মধ্যতে বৰষুণ দিয়া যেন কৰিলত তেখেতে ঘুম ষ্টেশ্যনৰ পৰাই এখন টেক্সি ভাৰা কৰি মোকো লগতে লৈ আহিল। মটৰেৰে আহোতে বাটত বহুত কথা পাতিলোহক; আৰু বাটতে তেখেতৰ পৰা মোৰ টোকা বহিত তলত লেখি দিয়া বাক্য কেষাৰ লিখি দিলে।

Spent a pleasant morning at Senchal Hill with Mr Bezbarua.

মটৰেৰে আহি টেক্সি ষ্টেণ্ড পাওতে বৰষুণ পৰিবলৈ ধৰিলে। আমাৰ বিদায় সম্ভাষণ হৈ যোৱাৰ পিচত মই তিতিৰ বুৰি ঘৰ পালোহি আৰু বাইদেউ, ভিনিহিদেউ আৰু মিঃ দত্তক ডাইনিং টেবোলত পালোগৈ।

এই চানচেলৰ পৰা অলপ দূৰ গৈয়েই টাইগৰ হিল (Tiger hill) নামৰ এখন সৰু পাহাৰ পোৱা যায়। এই পাহাৰৰ পৰা সূৰ্য্যোদয় দেখিবলৈ অতি বিতোপন আৰু পৃথিবীৰ ভিতৰত ই এটি অতিকৈ সুন্দৰ দৃশ্য। সেই দৃশ্য চাবলৈ মই ২৪তাং বুধবাৰে ৰাতিতে উঠি গলো আৰু গৈ যি দেখিলো তাৰো বিবৰণ পিছতহে জনাম। সেই দৃশ্য দেখি মোৰ জীৱন ধন্য মানিলো। ভাৰতৰ ভিতৰত অত্যন্ত সুন্দৰ তিনিটা দৃশ্য দেখি মই নিজকে কৃতাৰ্থ মানিলো। প্ৰথমতে আগ্ৰাৰ তাজ, দ্বিতীয়তে ফাগুনৰ পূৰ্ণিমাৰ দিনা গধূলি কুমাৰীকা অন্তৰীপৰ অন্তিম কোণত সূৰ্য্যাস্তৰ দৃশ্য

আক তৃতীয়তে দার্জ্জিলিঙর টাইগার হিলর ওপরর পরা সূর্য্যোদয়র অতুলনীয় দৃশ্য।

আমার কলেজ খোলার দিন আহি পরিল। অতি বেজাৱেৱে বাইদেউ ভিনীহিদেউ সক ভাগিনীটি আক মিঃ দত্তকে এবি ২৪ তাং চুপরীয়া দার্জ্জিলিং এবিলো। আহিবর সময়ত অল্প অল্প বৰষুণৰ টোপালে আমাক বিদায় সম্ভাষণ জনালে। মোৰ বন্ধুবর মিঃ বাজর লগত আকৌ মটৰেৰে একেলগে শিলগুড়ী পাই "নৰ্থ বেঙ্গল এক্সপ্রেছ"ত কলিকাতা মুরা হলো আক ২৫তাং বৃহস্পতি বাৰে এপৰষ মুবত ওপৰত উল্লেখ কৰা আমাৰ কলেজীয়া কঠোৰ জীৱনত সোমাই পৰিলোহি। এবিধৈ আহিলো দুচ্ছন্ন হিৰৰ দুচ্ছন্ন পাহাড়, দার্জ্জিলিঙৰ মধুৰ স্মৃতি আক টাইগৰ হিলৰ পৰা দেখা অতুলনীয় দৃশ্যৰ চিৰস্মৰণীয় জ্যোতি।

বেদ, তথ্য আৰু তত্ত্ব

(আগেয়ে প্রকাশ হোৱাৰ পিছৰ পৰা)

—শ্রীযুত কমলাকান্ত ভট্টাচার্য্য

আগতে দেখাই আহিছোঁ যে জীৱ কোষৰ পৰাহে উৰণ, বুৰণ, গজন, ভ্রমণ এই চাৰি মুঠি প্রাণীৰ সৃষ্টি। ইয়াক দর্শন শাস্ত্রে উদ্ভিকিৰা কথা, বর্ত্তমান বিজ্ঞানেও প্রমাণ কৰে ; আমাৰ হিন্দু দর্শনে ব্রহ্মাণ্ড বোলা কথাটৰ ধাৰাই প্রমাণ হয় যে অণ্ড মানে ডিম্ব বা কোষ। ব্রহ্ম অণ্ডটি কেনেকুৱা তাক ভাঙ্গি নকলে বা নেদেখালে মই বুজা মতে আনে নুবুজিবও পাৰে, এতেকে ইয়াক বিশ্লেষণ কৰি দেখাওঁ। এই সত্যটি মই "বাঈ" কাক-তত গীতাৰ বহস্য-তত্ত্বতো দেখাইছোঁ। কিন্তু বহলাই ভাঙ্গি দেখুৱা নাই, গতিকে "বেদ, তথ্য আৰু তত্ত্ব" প্রবন্ধত "আবাহন"ত নেদেখাই নোৱাৰিলোঁ। তত্ত্ব বিচাৰ কৰা সকলে ভাবি চাওক ব্রহ্মৰ অণ্ড বা ডিম্বটি কেনেকুৱা ; আমাৰ শাস্ত্রে কি কয়? "সত্ত্ববজস্তমসাং সাম্যাবস্থা প্রকৃতি।" সত্ত্ব: বজ: তম: এই তিনটি ঐশশক্তি গুণেই প্রকৃতি। এই তিনটি গুণে একো কাম নকৰাকৈ যেতিয়া ব্রহ্মাৰ অণ্ডত সোমাই আছিল তাকেই প্রকৃতিৰ সাম্য অৱস্থা বুলিছিল। এতিয়া অণ্ডটি কি কেনেকুৱা মই বুজা মতে তাক বহলাই কওঁ। অণ্ড মানে ডিম্ব বা কোষ (Ovum) হৈছে বুজায় জীৱ বীজ যিহৰ ভিতৰত চেতন স্বৰূপে বিষ্ণু প্রবেশ কৰি আছে ইয়াকেই সকলো ভূতত হৰি—ভগৱান প্রবেশ কৰি থকা শাস্ত্রে প্রমাণ কৰে। এই কথাটি বেদৰ অন্যান্য সত্য। আগতে সি সংখ্যাত কৈ আহিছোঁ যে বীজ আদি বীজৰ পৰাহে সৃষ্টি। এতিয়া দেখাৰ লগা হৈছে ব্রহ্ম অণ্ডটি কেনেকুৱা? বিশ্বৰ ব্রহ্মাণ্ড বোলে কিয়? ঈশ্বৰো অনাদি সৃষ্টিও অনাদি, যেনে ওটিৰ পৰা গছ, গছৰ পৰা ওটি, উনটি উনটি সন্ততি কাল চলি থকা। পোনতে বীজ স্বৰূপ পৰমাত্মাৰ নীহাৰিকা পৰমাণু (Nebula) বিৰাজি সৃষ্টিক ঢাকি ৰাখিছিল, গোটেই ব্রহ্মাণ্ডক অন্ধকাৰে আবৰি ৰাখিছিল, পিছে বিধাতাৰ ইচ্ছাত অকস্মাৎ

নীহাৰিকাবিলাক আঁতৰ হোৱাত সূর্য্য উদয় হল, অকল সূর্য্যই নহয় চন্দ্রও ওলাল বুলি বেদে কয়। মই হলে নকওঁ, কাৰণ সূর্য্যৰ পৰাহে চন্দ্র আক সৃষ্টিৰ আৰম্ভ। সূর্য্য যেতিয়াই ওলাল তেতিয়াই প্রকৃতিৰ সাম্যাবস্থা গুণ গুচি সৃষ্টিকৰী গুণ হৈ পৰিল। "ঔ সূর্য্যাচন্দ্রমসৌ ধাতা যথা পূর্ব্ব মকল্পয়ৎ দিবঞ্চ পৃথিবীঞ্চান্তৰিক্ষ মথোস্বঃ।" বেদৰ এই মন্ত্রটি অভ্রান্ত সত্য। ইয়াৰ মানে বিধাতাই প্রথম কল্পৰ দৰেই পূর্ব্ব কল্পতো সূর্য্য, চন্দ্র, পৃথিবী আদিৰ ঘৰে দিব্য লোক, অন্তৰিক্ষ আক আন আন লোকান্তৰ সৃষ্টি কৰিছে। এই অভ্রান্ত বেদ মন্ত্রটিয়েই প্রমাণ কৰে সৃষ্টিৰ খতিয়ন নাই ; এতেকে সৃষ্টিকর্ত্তা পৰমেশ্বৰ যেনে অনাদি সৃষ্টিও তেনে অনাদি। এতিয়া ব্রহ্মাণ্ড কেনেকুৱা তাৰ বিষয় আলোচনা কৰা যাওক।

ব্রহ্মাণ্ড মানে ব্রহ্ম অণ্ড—ডিম্ব, ই কেনেকুৱা ভাবি দেখিলে গোলাকাৰ পৃথিবীৰ দৰেই অগণন লোক—পৃথিবী, সূর্য্য, চন্দ্র, নক্ষত্রমণ্ডল ভগৱানৰ অনন্ত সৃষ্টিকেই ব্রহ্মাণ্ড বুজায়। বেদেই আভাস দিয়ে যে ভূঃলোকে ভূবঃ লোক স্বঃলোক জনঃলোক, তপঃলোক সহস্রলোক এইবিলাক। গায়ত্রী মন্ত্র যথা—ঔ ভূর্ভুবঃ স্বস্তৎ সবিতুর্ব্বরেন্যং ভর্গো দেবস্য ধীমহি ধিয়োনঃ প্রচোদয়াৎ ওম। এই মন্ত্রটৰ সৰল মানে হৈছে যি জ্যোতির্ম্ময় অনাদি অনন্ত ভগৱানে সবিতা-প্রসবিতা বা জন্মদাতা হৈ ভূলোক পৃথিবী, ভুবৰ্লোক অন্তৰিক্ষ যেনে সূর্য্য, চন্দ্র, তৰাবাসি আদি অগণন লোকসকল সৃষ্টি কৰিছে আক স্বর্গকো সৃষ্টি কৰিছে, অধীয়ো মহি সেই জ্যোতির্ম্ময় ভগৱানকে আৰাধনা কৰোঁ। ধীয়োয়ো নঃ—তেওঁকেই ধ্যান কৰোঁ তেওঁ যেন প্রদোদয়াৎ প্রসন্ন হয়। এই মন্ত্র মতে সৃষ্টি হোৱা বিজ্ঞানে কেনে প্রমাণ দেখায় তাক কওঁ। আগতে একেখাৰ কৈ আহিছোঁ যে স্রষ্টা যেনে অনাদি অনন্ত সৃষ্টিও তেনে। বর্ত্তমান আমি যি চন্দ্র, সূর্য্য, নক্ষত্রাদি গ্রহ-উপগ্রহবিলাক দেখা পাইছোঁ সেইবিলাক অতি পূর্ব্বে সৃষ্টি হোৱা নাছিল যে এনে নহয় ; সৃষ্টিৰ খতিয়ন নাই।

বর্ত্তমান আমি দেখা সৃষ্টিতত্ত্ব

আগতে দেখাই আহিছোঁ যেতিয়া সূর্য্যটি নীহাৰিকা (Nebula) ঢাকনিত আছিল তেতিয়া ঘোৰ অন্ধকাৰে সৃষ্টি আবৰি ৰাখিছিল। ভগৱানৰ ইচ্ছাত যেতিয়া সূর্য্য ওলাই পৰিল তেতিয়া নীহাৰিকা পৰমাণুবিলাক সূর্য্যক প্রদক্ষিণ কৰি চক্রাকাৰে (with velocity of rotatory motion) ঘূৰিব ধৰিলে তেতিয়া অতি প্রবল গতিৰ কোনত আমাৰখন পৃথিবী আক লগৰীয়া দহোটি গ্রহ সৈতে দহখন পৃথিবী—কোনো কোনো খন আমাৰখন পৃথিবীতকৈও ডাঙৰ পৃথিবী—ক্রমান্বয়ে একো একোটি গোলাকাৰ বৃত্ত হৈ সূর্য্যৰ পৰা আঠৰ হল আক সূর্য্যক প্রদক্ষিণ কৰি ঘূৰি ঘুৰিব ধৰিলে। এই গোলাকাৰ পিণ্ডবিলাক পোনতে একো একোখনি জুইত পোৰা তাৱাৰ দৰে ৰঙা হৈ পৰিল আক কুমাৰে চাকত গঢ়া চক-কলহ আদি পাগখানিত দি জুইত পুৰিলে যেনে অধিময় হৈ ৰঙা হৈ পৰে তেনে হল। এইটিকেই আমাৰ শাস্ত্রে ব্রহ্মকল্প বোলে। যেতিয়া সত্ত্বঃ বজঃ তমঃ এই তিনটি ঐশ শক্তি গুণ বাহিৰ হৈ পৰিল তেতিয়া বজোগুণ প্রকাশ হৈ সৃষ্টি কৰিব ধৰিলে। এই বজোগুণেই হৈছে আমাৰ সূর্য্যটি, বর্ত্তমান আমি যি সূর্য্যটি দেখা পাইছোঁ এইটি সূর্য্য আমাৰ পৃথিবী গঢ়া সূর্য্য। কত সূর্য্য কত পৃথিবী আছে তাৰ অন্ত কোনে পাব পাৰে? আমাৰখন পৃথিবী গঢ়া সূর্য্যটিয়েই ভগৱানৰ বজোগুণ শক্তি। এই বজোগুণকেই পুৰাণ-কর্ত্তা কৰিয়ে ব্রহ্মা পাতিছে আক সেই ভগৱানৰ নাভি-কমলত ব্রহ্মাৰ জন্ম। "তযু নাভি কমলত ব্রহ্মা ভৈলা জাত।" ব্রহ্মা মানুহৰ দৰে শৰীৰধাৰী নহয়, ই বজোগুণহে, সূর্য্যই বজোগুণ, সূর্য্যই নাভি-কমল। ব্রহ্মা, বিষ্ণু, ৰুদ্র, সৃজক, পালক, সংহাৰক আক পৰিবর্ত্তক। পৰিবর্ত্তনক সংহাৰক বুলি পুৰাণে কয়। ভগৱানৰ সৃষ্টি একোবে ধ্বংস নাই, সংহাৰক শব্দটি ভুল। বেলিটি পুৱাতে উদয় হয়, পিছত চুপৰ হয়, ইয়াৰ পিছত সন্ধ্যা বেলিকা মাৰ যোৱা কথাক সংহাৰ বা ধ্বংস বুলুজায়। আকৌ বেলি বাতি থলে উদয় হব, সেই দৰে যেনিবা এই পৃথিবীখন পুনৰ পৰমাণুত পৰিবর্ত্তন হলে সেই পৰমাণুয়েই উনটি ন পৃথিবী এখন গঢ়ি উলিয়াব। এনে দৰে সূর্য্যটি ধুমাই নাইকিয়া হলে নতুন পৃথিবী গঢ়ি

ওলাব। ভগৱান বা ব্রহ্মা অনাদি অনন্ত ; সৃষ্টিও অনাদি অনন্ত। উঠা-পৰা—উত্থান-পতন মাত্ৰ গতিৰ কোৱ (motion) উদয়-অস্ত প্ৰকৃতিৰ নিয়ম। এই নিমিত্তে সৃষ্টিক জগত বোলে। জগত মানে ঘুৰি ঘুৰি অহা-যোৱা কৰা। প্ৰকৃতিৰ এই লীলা এই কথাকে ধৰি তত্ত্বজ্ঞানীসকলে মৃত্যুটলৈ এফেৰিও ভয় নকৰে, কাৰণ দেহধাৰী প্ৰাণী জন্মিলে মৰণ অন্তৰ্ধান হোৱা অনিবাৰ্য্য,—উদয়-অস্ত আছেই আছে। প্ৰাণীৰ প্ৰাণ আকৌ উদয় হৈ উন্নত দেহধাৰী হোৱাকেই ক্ৰমবিকাশ বা প্ৰকৃতিৰ বিবৰ্ত্তন ক্ৰিয়া বোলে। মানবাত্মা চৌৰাশী লক্ষ যোনী ভ্ৰমণ কৰিহে শেহত উৎপত্তি হৈছে। এই কথা দকৈ ভাবি চালে গছ-গছনি, পোক-পকৰা, কেচু-কুমতিৰ কোষৰ প্ৰাণৰ পৰাহে ক্ৰমোন্নতি হৈ হৈ শেহত মানবাত্মা বিকাশ হৈছে। বসুমতী ঘাই কোষ, তাৰ পৰাহে প্ৰাণী জগত সৃষ্টি।

আগতে কৈ আহিছোঁ যে পৃথিবীৰ নাম কশ্যপী। কশ্যপী পৃথিবীকেই পুৰাণ-লিখক কবিয়ে পুৰুষ কল্পনা কৰি সৃজন ঋষি পাতি তেওঁৰ ১০-জনী দৈণীয়েকৰ পৰা পোক-পকৰা আদি উৰগ, বুৰগ, গজন, ভ্ৰমণ চাৰি মুঠি জীৱৰ সৃষ্টি হোৱা কথা পুৰাণে যি স্থলত দেখায় তেন্তে কশ্যপী বসুন্ধৰাৰ কোষবিলাকৰ পৰাই সকলো জীৱৰ সৃষ্টি যে ভুল নথকা কথা। এতিয়াও দেখাদেখি কাঠ, বাঁহ, তৰু, তৃণ, ওষধি আদি মাটিৰে পৰা উদ্ভৱ গতিকে উদ্ভিজ্জ বোলা হয়। কেচু-কুমতি আদি পোক-পকৰা মাটিৰ পৰাই উৎপত্তি, গোটেই জীৱ জগত মাটিৰ পৰা উৎপত্তি নহয় বুলি কেনেকৈ কব পাৰি? মানৱ জাতিও পৃথিবী কোষৰ পৰা জন্ম হোৱা নাই বুলি কি প্ৰমাণ আছে? পুৰাণ কবিৰ কল্পনাপূৰ্ণ কথাবিলাক একটিয়া কৰি বাদি গধুৰকৈ চিন্তা কৰি দেখা যাওক, বীজ বা ওটি সঁচ স্বৰূপ ভগৱানৰ কাৰ্য্য আৰু ক্ৰমোন্নতি বা বিবৰ্ত্তন ক্ৰিয়াৰ বহুস্তত্ত্ব ভাল দৰে মন স্থিৰ কৰি চোৱা যাওক সৃষ্টি নো কেনেকৈ উৎপত্তি হল।

ক্ষিতী (মাটি) অপ (পানী) তেজ (সূৰ্য্যৰ উত্তাপ) মৰুৎ (বায়ু) ব্যোম (আকাশ) এই পাঁচ বিধ ঘাই পদাৰ্থৰ দ্বাৰাই জগদীশ্বৰে জীৱ জগত সৃষ্টি কৰিলে। ব্ৰহ্ম কল্পত পৃথিবী যেতিয়া এটি গোল পিণ্ড অগ্নিময় হৈ আছিল, অগ্নিৰ স্ভাৱ ধোঁৱাময় কৰা। পৃথিবীৰ ধোঁৱাময় অৱস্থাই পিছে মেঘ কৰিলে, মেঘেই বৰষুণ দিলে, তেতিয়া চকৰ দৰে গোলাকাৰ গোটেই পৃথিবীখন পানীবে ভৰি পৰি জলময় হৈ পৰিল। এই কথাকে বেদে প্ৰমাণ কৰে। "পিতৰো দৃহিতৰম্ গৃহীত্বা ঋণয়াবেতঃ সুষুঞ্চ," অৰ্থাৎ ভগৱান পিতাই পৃথিবী দুহিতৰ ধৰি (বেতঃ সুষুঞ্চ) বৃষ্টিপাত কৰিলে। এই কথাকেই পুৰাণ-লিখক কবিয়ে ধৰি ব্ৰহ্মাই জীয়েকত খোৱা পাতিলে। চিন্তাবিহীন মূৰ্খ জনপদে ইয়াকেই বিশ্বাস কৰিলে। পৃথিবীখন গঢ়িলে ভগৱৎ শক্তি প্ৰকৃতিয়ে কেনেকৈ আগত দেখুৱা হৈছে। পৰমাণুবিলাকে চাকনৈয়া পাতি সূৰ্য্যক কেন্দ্ৰ কৰি ঘুৰি ঘুৰি যেতিয়া পৃথিবী গঢ়িলে তেতিয়া পৃথিবীখন চকচকীয়া (Granite) পাথৰ, মাটি নহয়। বৈজ্ঞানিকসকলে এই কাৰণে কয় যে পৃথিবীৰ অতি তলডোখৰ চকচকীয়া পাথৰ মাথোন। এই প্ৰস্তৱময় পৃথিবীখন ৰবষুণৰ পানীবে ডুবি পৰিল হয়, কিন্তু মাটি নাই। এনেতে সৃষ্টিকৰ্ত্তা হৰিয়ে সূৰ্য্যৰ কাণ এটি খহাই পৃথিবীৰ পানীত পেলাই দিলে,—পুৰাণে সূৰ্য্যৰ ছটি কাণ খহাই পেলোৱা বুলি কয়। এই ছটি কানক পুৰাণে মধু আৰু কৈটভ নাম দি অসুৰ পাতি বিষ্ণুৱে সৈতে মহা যুদ্ধ লগালে। সেই অসুৰ দুটি বিষ্ণুৰ কৰ্ণ-মলৰ পৰা জন্ম হোৱা "বিষ্ণুকৰ্ণমলোৎপন্তি মধুকৈটভ মহাবলৌ।" সূৰ্য্যৰ নামো বিষ্ণু। পৃথিবী নো সৃষ্টি হওঁতে সূৰ্য্যটি আকাশ যোৱা ডাঙৰ আছিল। সেই গুণে ঐশ শক্তি কন্দ্ৰ প্ৰকৃতিয়ে সূৰ্য্যৰ কাণ খহাই পৃথিবীৰ প্ৰলয় পানীত পেলাই দিলে, প্ৰলয় সাগৰত উপগপণ লাগি ভয়ঙ্কৰ ঢৌ উঠিব ধৰিলে, ইয়াকেই অনুভূতিয়ে মহা বিষ্ণুৰ লগত মধু কৈটভৰ যুদ্ধ লগা পাতিলে। "মধুকৈটভ কীটং ইব ভাবি কৈটভ" অৰ্থাৎ সূৰ্য্যৰ কাণটি যহি জোনাকী পকৰাৰ দৰে প্ৰলয় পানীত পৰিলহি। এই মধুকৈটভ গলি যেতিয়া মহাসাগৰৰ পানীৰ তলত পলস বা মেদ পৰিল তেতিয়াৰ পৰা পৃথিবী মেদিনী হল। যেতিয়া ক্ষিতী অপ তেজ মৰুৎ ব্যোম পঞ্চভূত মিলিল তেতিয়াই পোনতে জীৱকোষ সৃষ্টি হৈ বুৰগ—মাছ আদি—প্ৰাণীৰ জন্ম হল।

পোনতে বুৰগ প্ৰাণীয়ে দেখা দিলে। তাৰ পিছত তলত মেদ বা গলন পৰা মাটি যেতিয়া লাহে লাহে উঠিব ধৰিলে তেতিয়া উভচৰ জীৱ সৃষ্টি হল। এয়ে হৈছে বাহিৰ পৃথিবীৰ ক্ৰমবিকাশ বা বিবৰ্ত্তন ক্ৰিয়াৰ বহুস্ত-তত্ত্ব।

এতিয়া প্ৰাণী জগতৰ প্ৰতি দৃষ্টি কৰোঁ। কশ্যপী ধৰিত্ৰীয়েই মূল কোষ। ক্ষিতী অপ তেজ মৰুৎ ব্যোম এই পঞ্চ ভূত মিলাই বসায়ণিক প্ৰক্ৰিয়াৰ দ্বাৰাই মহান বুদ্ধিমান, অসীম জ্ঞানবান সনাতন গৰাকীজনে কি কৌশলেৰে আৰু কেনে জ্ঞান-বুদ্ধিৰে জীৱ জগত সৃষ্টি কৰিলে ই মানুহৰ জ্ঞানৰ অতীত, চিন্তাৰ অতীত। জীৱ জগত সৃষ্টি হোৱাৰ বহু পূৰ্ব্বতে থাক জগত সৃষ্টি হল, কাৰণ প্ৰাণী জগত সৃষ্টি হলে জীৱবিলাকে কি খায় প্ৰাণ ধাৰণ কৰিব! অনাদি প্ৰেমময় সনাতন গৰাকীজনে সৃষ্টি বিকাশ হোৱাৰ আগতে কল্পনা কৰা কথা এইটিতকৈ অদ্ভুত আচৰিত একো নাই। মহাসাগৰৰ তলৰ পৰা যেতিয়া লাহে লাহে মাটি উঠিব ধৰিলে তেতিয়া মেদিনী কোষৰ পৰা কুৰ্ম্ম (কাছ) জন্ম হল, পানীৰ মলি বা মেদ খাই প্ৰাণ ধাৰণ কৰা জীৱ মাছ-কাছ ইত্যাদি। এই ছটি কল্পকে মৎস্য কল্প আৰু কুৰ্ম্ম কল্প বুলি পুৰাণেই প্ৰকাশ কৰি আছিহে ; কবিতা বৰ্ত্তিত ভাবে যিহক কওক কিন্তু সত্য কথা। সাগৰৰ ঠাইে ঠাইে চাপৰি উঠিব ধৰিলে কিছুমোকা পানী মিহলি। এই সময়ত পৃথিবীত বাস কৰিব পৰা প্ৰাণী সৃষ্টি হল, বৰাহ (গাহৰি) ছিগপতামছ আদি জন্তু। এই কল্পকেই পুৰাণে শ্বেত বৰাহ কল্প বুলি দেখাইছে। এই কল্পৰ পিছত যেতিয়া মাটি ওখ হব ধৰিলে তেতিয়া উৰগ, ভ্ৰমণ জীৱৰ আহাৰৰ নিমিত্তে ভগৱানে তৃণ, তুল, লতা, গাঁহ, বন, ফল, ফুল ইত্যাদি সৃষ্টি কৰিলে বসুমতী কোষৰ পৰা উলিয়াই। এই সময়ত লাহে লাহে যেতিয়া গজন বস্তুবিলাক ডাঙৰ হৈ পৃথিবীত থিতাপি লৈ উপচি পৰিল তেতিয়া বামত লতা-বন, গাঁহ-পাত খাই জীৱন ধাৰণ কৰা জন্তুবিলাক লাহে লাহে উপজিব ধৰিলে। চাৰি ঠেঙীয়া জন্তুবিলাক তেতিয়া ইমান ডাঙৰ আছিল তাক অকল পুৰাণেই প্ৰমাণ কৰে যে এনে নহয়, সেইবিলাক জন্তুৰ যে হাৰ-মুৰৰ খোলা আৰু ঐৰাবত (mammoth) হাতীৰ দাঁত অতি দীঘল, বৰ্ত্তমান পৃথিবীৰ সভ্য জাতিসকলে কৰা মিউজিয়ম (দুখ-ঘৰ) বিলাকত ওলাই আছে, পৃথিবী ফুৰা অনেকে দেখা পাইছে। একো একোটি ডেকী বোলে সেই অতীত কালত ৬০-ফুট দীঘল, একো একো বিৰ চবাইৰ ঠেং বোলে কুৰি হাত লম্বা আছিল। ইয়াৰ কাৰণ মই হলে ভাবোঁ তেতিয়া যদিও মাটি ক্ৰমে ওখ হৈ আছিছিল তথাপি পানীৰ উৎপাত যথেষ্ট আছিছিল, এই কাৰণে ঠেং দীঘল আৰু অতিকায় জন্তুবিলাক প্ৰেমময় ভগৱানে মেদিনী কোষৰ পৰা প্ৰকাশ কৰিছিল। কোনো কোনো বৈজ্ঞানিকে কয় পৃথিবীৰ হোপনি শক্তি কম থকাৰ কাৰণে অতিকায় জীৱবিলাক সৃষ্টি হৈছিল। এই কথাকো উবাই দিব নোৱাৰি আৰু আগত উল্লেখ কৰা ভগৱানৰ অভিপ্ৰায়কো দলিয়াই গেলাব নোৱাৰি। এই কল্পক পুৰাণে নবসিংহ কল্প বুজায়। মোৰ অষ্টাবক্ৰ কাহিনীত ভাল দৰে বিশ্লেষণ কৰি দেখাইছোঁ, ইয়াত দেখুৱা অনাবশ্যক। এইবিলাক জীৱ-জন্তু মৰি তাৰ মজতে পৃথিবী ওখ কৰিছে। এই প্ৰস্তৰৰ পিছৰ প্ৰস্তৰতে ক্ৰমবিকাশ আৰু প্ৰাণী জগতৰ কাঠাম (design), বিভিন্ন আকৃতিবিলাকৰ ঠগ, গঢ় আৰু ঠাচ দেখাম আৰু কোষৰ ভিতৰত ক্ৰমবিকাশ বুজাম। আজিলৈ ইমানতে থলোঁ।

ক্ৰমশঃ



স্মৃতি-ফুল

কবিতা—

—শ্রীযুত অতুলচন্দ্র হাজরিকা বি-এ

(১)

মধুমতী মধুমালতীৰ
অঞ্চলত চঞ্চল সমীৰ
বচি দিলে মায়া-স্বপ্ন-জাল ;—
প্রকৃতিয়ে ফাঁকু ওৰি আনি
গছে-পাতে বঙা বোল সানি
মেলি দিলে বসৰ ভঁড়াল।

(২)

পলাশৰ মদাৰৰ গাত
ফাগুনীয়ে পাতে বিহ্ন-হাট
চজনাত বাজিল গগনা ;—
সুধাকণ্ঠী দহিকতবাই
তালে তালে হিয়া নচুৱাই
এৰি দিলে সুৰৰ যমুনা !

(৩)

পৰ্ব্বতৰ হৃদয় পুৰিল
বিবহৰ অগ্নিয়ে জ্বলিল
গিৰিজাৰ পৰশ নেপাই ;
মেঘমালা গাজে গুৰু গুৰু
আকাশত বজাই ডম্বৰু
হৰষৰ বাতৰি জনায়।

(৪)

চেগ চাই বসন্ত কোৱঁৰে
সাজি-কাচি মোহন বেশেৰে
পৃথিৱীত কৰে পদার্পণ ;
ন কইনা সাজিলে প্রকৃতি
দিপলিপ গোড়ুলী যুৱতী
কুঞ্জে কুঞ্জে কুসুম তোৰণ।

(৫)

আজি এই আনন্দ দিনত
মহা পূজা বাণী মন্দিৰত
ভাৰতীৰ আৰতি সঙ্গীত,
সুপ্রসিদ্ধ প্রাগজ্যোতিষত
পঞ্চতীর্থ লৌহিত্য তীৰত
দশোদিশ মগ্ন মুখৰিত।

(৬)

শত বর্ষ হর্ষ বিষাদৰ
কত কথা গত অতীতৰ
আজি কোনে দিলে সোঁৱৰাই ;
কত জন পূজাৰী সাধকে
কত জন সুন্দৰ গায়কে
দিলে বস্তি ইয়াতে জনাই।

(৭)

মন্দিৰৰ এই প্রাঙ্গনতে
এই তীর্থ, এই আশ্রমতে
কত জনে লভিলে নিশ্বাস ;
তাৰে আজি পুণ্য স্মৃতি লই
সকলোৱে সমিলিত হই
ভকতিৰ যাচিছে অঞ্জলি।

(৮)

জননীৰ মুখ উজলাই
কত জনে পালে লক্ষ্য ঠাই
সেন্দুৰীয়া আলিৰ অন্তত,
কত জন মৰিও অমৰ
ভোটা তৰা হল আকাশৰ
জয়মালা পিন্ধিলে শিৰত।

(৯)

কত জন পথ-ভ্রান্ত হায়
মোৰ দৰে অনাই বনাই
ব্যর্থতাহে লভিছে ভাগ্যত ;
বহু কথা থাকোঁতে আলচি
হলে-জোঙে ধৰিছে আগচি
কৰ্ম্মনাশা নাচিছে দুৰন্ত।

(১০)

কিমানৰ জীৱন-নাটত
অনন্তৰ দুৰন্ত বাটত
যৱনিকা পৰিল আগত ;
কাৰো গীত হল আধা গোৱা
কাৰো ভাত হল আধা খোৱা
স্মৃতি মাথোঁ বল জগতত।

(১১)

যিসকল আজি আঁক নাই
শুচি গল বাট দেখুৱাই
চকুলোৰে যাচিছোঁ তর্পণ ;
যিসকল আছে এতিয়াও
সিসৰৰ জয়-গীত গাওঁ
ধন্য হক সৰাৰে জীৱন।

(১২)

সুপত্রিত্র এই যে মন্দিৰ
দীঘনীয়া এক শতাব্দীৰ
আছে যত যশৰ গৰিমা ;
তুলি লই বাণী-পদ-বেণু
যি স্থানত পুলকিত তনু
অতুলন বিপুল মহিমা।

(১৩)

মোৰো ই যে মহাতীর্থস্থান
জীৱনৰ জয়-অভিযান
এই বাটে গুৰুৰ কৃপাত,
আজি এই উছৱৰ দিনা
কত সুৰে বাজে বেণু-বীণা
মই মাথোঁ অযোগ্য ইয়াত !

(১৪)

ভিখাৰীৰ ভগা টোকাৰিত
সুঠে গীত বন্দনা ললিত
দীনহীন মই অকিঞ্চন ;
অশ্রুসিক্ত বিক্ত হৃদয়ৰ
ভক্তি-অর্ঘ্য কবিতা ফুলৰ
সন্তর্পণে কৰোঁ নিবেদন। *

* গুৱাহাটী কলেজীয়া স্কুলত এশ বছৰীয়া উৎসৱত পঠিত।—লিখক

মহিলা জগত

[কলিকাতাৰ পৰা ২৬ মাইল দক্ষিণে ডায়মণ্ড হাৰবাৰ ৰোডৰ ওপৰত মহিলা সকলৰ শিক্ষাৰ এটি আৰ্শ প্ৰতিষ্ঠান আছে। হাত লেখা পঢ়াৰ বাহিৰেও মহিলা সকলৰ শৰীৰ চৰ্চ্চাৰ প্ৰতি বিশেষ দৃষ্টি আকৰ্ষণ কৰা হৈছে আৰু তাৰ বাবে আধুনিক ধৰণৰ সকলো ধৰণৰ খেল-ধেমালিৰ ব্যৱস্থা আছে।]



ছাত্ৰী সকলৰ ডাম্বেল ড্ৰিল

৫২৭৮/অ:

ছাত্ৰী সকলৰ চাইকেল অভ্যাস





ছাত্ৰী সকলৰ ভলী বল খেলা

৫২৭৯/অ:
১১.৫.৯৯

আৱাহন—



চীনৰ পুৰণি নৌ-শিল্প

লক্ষ্মীবিলাস প্ৰেছ লিঃ, কলিকাতা।

৫২৭৯/অ:



৬ষ্ঠ বছৰ, ৭ম সংখ্যা] বহাগ [১৮৫৭ শক

তুমি মোক নাযাবা পাহৰি

—শ্ৰীযুত শৈলধৰ ৰাজখোৱা

পুৱাতে চমকি উঠি লুকালা বিজুলী,
দেখা মোক নিদিলা শুনাই ;
চাই চাই থৰ হলো সন্ধিয়া আহিল,
এই বেলা দিয়াহি বিদায় ।

এতিয়া ৰাওনী হল হিয়াৰ তেজেৰে,
সাঁচি থোৱা কুসুমৰ হাৰ ;
গাহিমে গাহিয়ে গঁথা মৰমৰ কথা,
চাই যাবা পুৱাতে এবাৰ ।

দেখা পাবা নিলগত শূন্য পঁজা মোৰ,
কাষৰত দেখিবা বননি ;
মুকলি মনেৰে তুমি ওলাবা ইবাৰ,
আক মই নকৰো আমনি ।

ইদৰে বতাহ ৰ'ব কুলিয়ে মাতিব,
গুজে-পাতে সলাব ৰবণ ;
নিতে নৰ বসন্তৰ আহিব উৎসৱ,
কোনে মোক কৰিব স্মৰণ ?

বুকু ভৰা কথা মোৰ মনতে থাকিল,
গান মোৰ আধা গোৱা হল ;
এপাহি ছপাহি কবি হৃদয় কুসুম,
চউ পাশে সৰি পৰি ৰ'ল ।

অসীমৰ হিয়া ভেদি বিষাদৰ সুৰ,
ৰ'ই গ'ল বায়ুৰ লগত,
আকাশত কাণ পাতি শুনিবা লাহৰি !
কেতিয়াবা পৰিলে মনত ।

মালতী নাথাকে যদি লাহতী খোপাত,
খহি পৰে বুকুৰ বসন,—
আমনি কৰেহি যদি পুৱাৰ বতাহে,
সেয়ে মোৰ হব সোঁৱৰণ ।

কিবা যেন নাই বুলি বাজিলে প্ৰাণত,
বতাহত জনাবা বাতৰি ;
দলিয়াবা সৰা ফুল শূন্য পঁজালই,
তুমি মোক নাযাবা পাহৰি ।

বেদ স্বতঃ প্রমাণ

[মীমাংসকব মতে]

(আগব সংখ্যাব পাছব পবা)

—শ্রীযুত মনোবঞ্জন শর্ম্মা স্মৃতিশাস্ত্রী

প্রভাকববব মতে প্রমাণ পাঁচ বিধ, যেনে :—প্রত্যক্ষ, অনুমান, উপমান, শব্দ আক অর্থাপত্তি (১)। এই প্রমাণবোব কিয় স্বীকাব কবিছে, নহলে কি দোষ হয়, ইত্যাদি বিষয়ে এই ক্ষুদ্র প্রবন্ধত আলোচনা কবা অসম্ভব। বাস্তবিকতে সেই বিষয়ে বহুল অনুশীলন কবিবলৈ হলে একোটা প্রমাণব আলোচনাতে এনেকুবা একোটা প্রবন্ধ হয়; গতিকে, ইয়াত মাত্র এই প্রমাণবোবব সামান্য লক্ষণ হে দিয়া যাব।

চক্ষুঃ (চকু) প্রভৃতি ইন্দ্রিয় সমূহব লগত বাহ্য বিষয়ব কণ সংযোগ হলে যি সাক্ষাৎকাব নামক জ্ঞান জন্মে তাব নাম প্রত্যক্ষ জ্ঞান (২)। প্রত্যক্ষ জ্ঞান ছয় প্রকাব :— চাক্ষুষ, বাসন ঘ্রাণজ, স্পার্শন, শ্রাৱণ আক মানস। চকু আক কণব সংযোগত যি কণা, বঙা, সৰু, ডাঙৰ আদি জ্ঞান হয়, তাব নাম চাক্ষুষ প্রত্যক্ষ।

বসনা (জিভা) আক বসব সংযোগত যি তিতা, মিঠা আদি বস বিষয়ক জ্ঞান হয় তাব নাম বাসন প্রত্যক্ষ। এই দবে ঘ্রাণ (নাক) ত্বক (ছাল) শ্রৱণ (কাণ) আক অন্তঃকবণব সৈতে সেই সেই বিষয়ব সংযোগ হলে যি জ্ঞান ওপজে, তাব নাম ক্রমে ঘ্রাণজ, স্পার্শন, শ্রাৱণ আক মানস প্রত্যক্ষ। প্রত্যক্ষব বিষয় এইবিনি মাত্র উল্লেখ কবি নামবলি মবা হল। প্রত্যক্ষব বাহিবে অনুমান আদি প্রমেয় জ্ঞানক পবোক্ষ জ্ঞান বোলে। এতিয়া অনুমানব কথা চমুকৈ আলোচনা কবা যাঁক। যি দুটা বস্তুব ব্যাপ্তিজ্ঞান (১) আমালোকব আছে তাব ব্যাপাব জ্ঞান প্রমাণাবব সিদ্ধ হলে যি ব্যাপকব স্থিতিরূপ জ্ঞান আমালোকব হয় তাব নাম অনুমান :—যেনে দোঁৱা দেখি জুই লাগিছে বুলি অনুমান কবোঁ।

(১) তত্র পঞ্চ বিধং মানং প্রত্যক্ষ মনুমা তথা। শাব্দং চোপমা মানাথী পঞ্চা ইতি ভুবোর্ত্তমঃ ॥৪॥—প্রকবণ পঞ্জিকা, অমুতকলা।

প্রত্যক্ষমেবাং চাৰ্ব্বাকাঃ কণাদসুগতৌ পুনঃ। অনুমানঞ্চ তচ্চাপি সাংখ্যাঃ শব্দঞ্চ তেউভে ॥

গ্রাহকৈ বৈশেষ্যাদ্বচ্চপ্রমাণঞ্চ তাকাগি। অর্থাপত্ত্যা সহৈতানি চত্বাণ্যাহুঃ প্রভাকবাঃ॥

অভাব ষষ্ঠাঞ্চেতানি ভাট্টাঃ বেদাশ্রিতা জড়াঃ। সম্ভবৈতিহ্য যুক্তানি ত্রীতি পৌবাণিকাঃ জড়াঃ ॥

(২) নয়নাদ্যুপযোগে পুকষস্তেন্দ্রিয়জ্ঞানং বুদ্ধি জন্ম তৎ প্রত্যক্ষম আনিনিত্ত বিষয়মানোপনভনার্থং। মীমাংসা দর্শন ১।১।৪।

সতি ইন্দ্রিয়ার্থ সন্নিকর্ষে যা পুৰুষস্য বুদ্ধিসিদ্ধতে তৎ প্রত্যক্ষম্ ॥ —শবর ভাষ্য ॥

সাক্ষাৎ প্রতীতিঃ প্রত্যক্ষং মেদ মাতৃপ্রমাণ্যম্। মেহেন্দ্রিয়দোষোপঘা ক্রথা ত্রাতি গুণেযুনা ॥

—প্রকবণ পঞ্জিকা।

মীমাংসকে প্রত্যক্ষব আক ভেদ দেখুৱাইছে। এইবোবব অনুকূল ভাষা লিখিলে বব বাহুল্য হয় গতিকে লিখা নহল। শবব আক ভট্টব এই সম্বন্ধে মত ভেদ নাই, গতিকে শবব স্বামীব বাক্য মাত্র তুলিলো।

(১) জাত সম্বন্ধ নিয়মৈবো বেশস্থ দর্শনাৎ। এক বেশাস্থল বুদ্ধিরনুমান মবাদাহে ॥১॥ —প্রকবণ পঞ্জিকা, অমুতকলা।

জাত সম্বন্ধকৈক দেশ দর্শনা দেবাদেশান্তবে তদাসাদৃশ্যে বুদ্ধি ব্যাহনন্ ॥১।১।৫ সূঃ—শবব ভাষ্য

ব্যাপ্তি জ্ঞান মানে ব্যাপ্য ব্যাপকব অব্যভিচাব সম্বন্ধ জ্ঞান। ব্যাপ্য আক ব্যাপকব সহজ লক্ষণ এই যে, "অধিক দেশ বৃত্তিহাব ব্যাপকম্" (যিটো ব্যাপক হয় সি ব্যাপ্যব অপেক্ষা অধিক ঠাইতো থাকে) "ন্যূনদেশ বৃত্তিহাং ব্যাপ্যম্" (ব্যাপকব অপেক্ষা কম ঠাইত থাকে অর্থাৎ ব্যাপ্য যাত থাকে তাত থাকি ব্যাপ্য নোহোৱা ঠাইত থাকে অর্থাৎ ব্যাপক যাত নাথাকে তাত কোন মতেই নাথাকে বৰং ব্যাপক যত্ৰা ঠাইবভিতৰতো দুই এঠাইত নাথাকে—এনেকুবা বস্তুটোব নাম ব্যাপ্য।

ব্যাপ্য দ্বাবাই ব্যাপকব অস্তিত্ব অনুমান কবা হয়, অর্থাৎ অনুমাবব জুহ হব ব্যাপ্য, সাধ্য হয় ব্যাপক। দোঁৱা আক জুইব ভিতবত দুই যাপক অর্থাৎ দোঁৱা নোহোৱা ঠাইতো গবম লো আদিত জুই থাকে গতিকে তোৱাব অপেক্ষা অধিক ঠাইত থাকে। দোৱা ব্যাপ্য, অর্থাৎ দুই নোহোৱা ঠাইত কেতিয়াও দোঁৱা নাথাকে। গতিকে কম ঠাইত থাকে। যাপ্য আক দোৱা বেলেগ বস্তু, গতিকে জাকবালি চেঁচা পানী যদিবা পবা যি তোৱাব মিচিনা গবাগৰ্ব নির্গত হয় তাব নাম ব্যাপ্যহে দ্বাবা নহয়, গতিকে, জুই নোহোৱা ঠাইত দোৱা থাকে বুলি কব নোৱাবি।

(২) সাদৃশ্যাদুপমানাভাং প্রতিযোগিনি আহতে। সাদৃশ্য বিষয় জ্ঞানমুপমানং তদ্বচনে ১।১৪—প্রকবণ পঞ্জিকা, অমুত কলা।

"উপমানমপি সাদৃশ্যং অনাম্নিষ্টে অর্থে বুদ্ধিমুৎপাদয়তি "যথা গরয় শব্দ গোসবপত্ত"।—শবব ভাষ্য ।১।১।৫

(৩) "অর্থপত্তিবপি দৃষ্টঃ শ্রুতো বা অর্থো অন্যথানুপপদ্যতে ইত্যর্থকল্পনা ॥"—শবব ভাষ্য ।১।১।৫

"বিনা কল্পনয়ার্থেন দৃষ্টেনানুপপদ্যতাং। নয়তা দৃষ্টমর্থং বা সর্ব্বো পত্তিস্ত কল্পনা ।১।২ —প্রকবণ পঞ্জিকা।

(৪) অভাবো অপি প্রমাণাভাবো নাস্তীত্যস্যার্থস্য সন্নিকৃষ্টত্ব ॥ শবব ভাষ্য ।১।১।৫।

যি এটা বস্তুব লক্ষণ (ধর্ম্ম) আমাব পূর্ব্বে জনা আছে, তাব সাদৃশ্য (তুলনা) মূলক যি জ্ঞানব দ্বাবাই আন এটা বস্তুব যি পবিচয় হয় তাব নাম উপমান। (২) উপমানব ফল সংজ্ঞা সংজ্ঞীব (বাচ্য-বাচকব) সম্বন্ধ গ্রহণ, অর্থাৎ এই বস্তুব নাম অমুক আক ই অমুক নামব প্রতিপাদ্য ইত্যাদি। যেনে এজন গাৱঁলীয়ই অভিজ্ঞ বুঢ়াব মুখত শুনিছে, যে গাযিত এবিধ গবয় নামে জন্তু আছে, সি দেখিবলৈ ঠিক গৰুব নিচিনা। সি কিন্তু এই পর্য্যন্ত সেই জন্তু কেতিয়াও দেখা নাই। সেই মানুহজনে হাবিবৈল গৈ ঠাইব এটা গৰুব নিচিনা জন্তু দেখা পালে; তেতিয়া তাব বুঢ়াব কথা স্মৰণ হ'লে—যে গৰুব নিচিনা জন্তুক গবয় বোলে, গতিকে এই প্রাণীটি নামেই গবয় অর্থাৎ এই প্রাণীটি, "গবয়" নামব প্রতিপাদ্য; এইটো সিদ্ধিপমানব দ্বাবা জানি পেলালে।

শব্দব পবা অভিজ্ঞ ব্যক্তিব কথা শুনি নজনা বস্তুব যি জ্ঞান হয় তাব নাম শব্দ (৩) যেনে এজনে "নৈৰ গাবত পাঁচটা ফল আছে" বুলি কলে গবত বহি থাকি শুনোতাব নৈৰ পাবব পাঁচটা ফলব সত্তা (অবস্থিতি) জ্ঞান হয়।

দৃষ্ট বিষয়টো আন প্রকাবে হব নোৱাবে বুলি যি অন্যথা অনুপপত্তিমূলক বিষয়ান্তব বিষয়ক (আন বিষয়ব) কল্পনা তাব নাম অর্থাপত্তি (৪)। যেনে, আমি দেখিছোঁ যে দেৱদত্ত শৰ্ম্মা ঘবতনাই, অথচ জীয়াই আছে বুলিও জানো, গতিকে তেওঁ নিশ্চয় আন ঠাইলৈ গৈছে বুলি কল্পনা কবিলোঁ; কাবণ জীয়াই থকা দেৱদত্তব ঘবত অভাব আন প্রকাবে উপপত্তি নহয় (জীৱতো দেৱদত্তস্য গৃহাভাব দর্শনেন বহির্ভাবস্তদুপ্তত্তকল্পনা)।

শবব স্বামী আক ভট্টই অভাব (অনুপলব্ধি) নামে আক এবিধ প্রমাণ স্বীকাব কবে, (৫) যেনে :—এই ঠাইত ঘট নাই, কাবণ, ঘট থকাব কোনো প্রমাণ নাই, এনে ঘটব অভাব জ্ঞান, অভাব প্রমাণ লভ্য।

ইন্দ্রিয় সন্নিকর্ষ কণ প্রত্যক্ষ প্রমাণ অথবা অনুমানাদি পবোক্ষ প্রমাণব দ্বাবা যি প্রকাব জ্ঞানব উৎপত্তি হয়, তাকে আমালোকে প্রমাণ বা যথার্থ জ্ঞান বুলি ধবি লওঁ। এইটো মানুহব স্বতঃসিদ্ধ স্বভাব। এয়ে মীমাংসাচার্য্য-সকলব সিদ্ধান্ত। তেওঁলোকব মতে, আমালোকব যেতিয়া শুক্তিত (কণব দবে বঙা শামুকব খোলত) বজত জ্ঞান বা বজুত (জবীত) সর্প জ্ঞান হয় তেতিয়া তাক প্রথা জ্ঞান বা যথার্থ জ্ঞান বুলি ধবি লোৱা আমালোকব স্বভাব। আমালোকব এই স্বতঃ-সিদ্ধ স্বভাবব কেতিয়াও ব্যতিক্রম নহয়। কিন্তু জ্ঞান হোৱাব লগে লগে তাক যথার্থ জ্ঞান বুলি ধবি লোৱাব পিছত যদি আমি বুজি পাওঁ যে এই জ্ঞানব দৈতে কেনো পূর্ব্বে যথার্থকপে প্রমাণিত হোৱা জ্ঞানব বিবোধ ঘটিছে; অথবা যি ইন্দ্রিয় আক হেতু আদি স্বকণ

কৰণৰ দ্বাৰা এনে জ্ঞান উৎপন্ন হৈছে সেই ইন্দ্ৰিয় বা হেতু আদি দোষযুক্ত, তেন্তে আমালোকে সেই উৎপন্ন জ্ঞানক ভ্ৰম বা অযথাৰ্থ বুলি মানি লওঁ। প্ৰথমতে যদিও সকলো জ্ঞান প্ৰমা বা যথাৰ্থৰূপে প্ৰতীত হয়, পিছত দুই বিধ কাৰণে সেই জ্ঞান ভ্ৰান্তি বা অযথাৰ্থৰূপে প্ৰতিফলিত হয়। সেই দুই প্ৰকাৰ কাৰণ হৈছে বাধক প্ৰত্যয়, আৰু কৰণ দোষ। প্ৰথমতে এডোখৰে শুক্তি (ঝিনুক) দেখি ৰূপ বুলি জ্ঞান হল, তাৰ পিছত আগ বাঢ়ি গৈ হাতত তুলি লৈ বুজিলো যে সেই ডোখৰ ৰূপ নহয়। এই স্থলত পিছত যে "এই ডোখৰ ৰূপ নহয়" এনে জ্ঞান হল, আৰু পূৰ্ব্বে হোৱা "এই ডোখৰ ৰূপ" এই জ্ঞান প্ৰমা নহয়, ভ্ৰমহে বুলি বুজিলোঁ। এই বোধ বাধক প্ৰত্যয়ৰ দ্বাৰাই হল; অৰ্থাৎ ৰূপৰ আকৃতি প্ৰকৃতি মোৰ ভালকৈ জনা আছে, সেই জ্ঞান, মোৰ পূৰ্ব্বে প্ৰমাণিতৰূপে স্বীকৃত। তেনে স্থলত প্ৰথমতে ৰজত (ৰূপ) জ্ঞান, যথাৰ্থৰূপে বোধগম্য হলেও পূৰ্ব্বে জনা ৰূপৰ আকাৰ জ্ঞানৰ লগত বিৰোধ ঘটিছে, গতিকে ৰজত জ্ঞান প্ৰমাণ নহয়, ভ্ৰম হে। সেই বাবে বাধক প্ৰত্যয় বা অৰ্থৰ আন জ্ঞানৰ দ্বাৰা পূৰ্ব্বজাত জ্ঞান বাধিত হ'ল। অৰ্থাৎ বাধক প্ৰত্যয়ে আগে জন্মা জ্ঞানৰ যথাৰ্থতাৰ নিৰাকৰণ কৰিলে। এতিয়া কৰণ দোষ কাক বোলে চোৱা য'ক।

পূৰ্ব্বেই কোৱা হৈছে যে জ্ঞান প্ৰত্যক্ষ আৰু পৰোক্ষ ভেদে দুই প্ৰকাৰ। পূৰ্ব্বোক্ত ছয় প্ৰকাৰ প্ৰত্যক্ষ জ্ঞানৰ কাৰণ চকু আদি জ্ঞানেন্দ্ৰিয়বিলাক। এইসকল ইন্দ্ৰিয় যদি দোষ যুক্ত হোৱা বুলি আমালোকে বুজি পাওঁ তেন্তে দুষ্ট ইন্দ্ৰিয়ৰ দ্বাৰা উৎপন্ন জ্ঞানৰো ভ্ৰান্তিত্ব বা অযথাৰ্থতা অনায়াসে উপলব্ধি কৰিব পাৰোঁ। ইয়াৰ উদাহৰণ বেছিকৈ নিদি বোধ কৰো এটা দিলেই স্পষ্টভাৱে বুজা যাব। যেনে, কোনো এজনৰ যদি পিত্ত বিশেষ ভাৱে দূষিত হৈ পাণ্ডু ৰোগ হয়, তেন্তে সেই মানুহজনে সকলো বস্তুকে পীত (হালধীয়া) বৰণীয়া যেন দেখে। তেতিয়া যদি সি বুজে যে তাৰ নয়নেন্দ্ৰিয় (চকু) ৰোগৰ দ্বাৰা দূষিত হৈছে, তেন্তে শঙ্খক হালধীয়া দেখিলে সেই শঙ্খৰ হালধীয়াৰ জ্ঞান যে ভুল তাক ভালকৈ বুজি পোৱা যায়। এই দৰে পিত্তৰ দ্বাৰা ৰসনেন্দ্ৰিয় (জিভা) দুষ্ট হলে সকলো খাদ্যৰ সোৱাদ তিতা যেন বোধ হয়। তেতিয়া চেনি খাই তিতা পালে সেই চেনিৰ তিতাৰ জ্ঞান ভুল বুলি বুজিবলৈ বাকী নাথাকে।

পৰোক্ষ জ্ঞানৰো এনেকৈ ভুল বুজি পোৱা যায়। যি ব্যাপ্তি জ্ঞানৰূপ কৰণৰ দ্বাৰা সাধ্যৰ অনুমানৰূপ পৰোক্ষ জ্ঞান হয়, সেই ব্যাপ্তি জ্ঞান যদি ব্যভিচাৰৰূপ দোষত দুষ্ট হৈ অযথাৰ্থ ৰূপে প্ৰতিভাত হয় আৰু সেইটো আমালোকে বুজো, তেন্তে সেই ব্যাপ্তি জ্ঞানৰ দ্বাৰা উৎপন্ন জ্ঞানো ভুল বুলি বুজি পাওঁ। যেনে জুই দেখি ধোঁৱাৰ অনুমান কৰিবলৈ গলো, "ইয়াত ধোঁৱা আছে কাৰণ, জুই আছে;" পিছত যদি মই (অনুমাতাই) জানো যে জুই থাকিলেও তপত লোত ধোঁৱা নাথাকে, গতিকে যি ব্যাপ্তি জ্ঞানৰ দ্বাৰা অনুমান কৰিছোঁ সি যথাৰ্থ ব্যাপ্তি জ্ঞান নহয়, তাত ব্যভিচাৰৰূপ দোষ আছে; তেন্তে মোৰ অনুমিত ধোঁৱা যে ভ্ৰান্তি বা অযথাৰ্থ তাকো বুজিবলৈ বাকী নাথাকে। এই দৰে উপমান আৰু অৰ্থাপত্তি প্ৰমাণৰ কৰণ ক্ৰমে সাদৃশ্য জ্ঞান আৰু অন্যথানুপপত্তি জ্ঞান অযথাৰ্থ বুলি বুজিলে তাৰ জ্ঞানো অপ্ৰমা বা অযথাৰ্থ হৈ পৰে।

বাক্যৰূপ কৰণৰ দ্বাৰা যি শব্দ বোধৰূপ পৰোক্ষজ্ঞান হয়, সেই জ্ঞানো প্ৰথমতে প্ৰমা বুলি বুজা যায়। কিন্তু পিছত যদি বুজো যে এই জ্ঞান আমাৰ প্ৰত্যক্ষ বিৰুদ্ধ, বা সেই শব্দৰ প্ৰয়োক্তা (বক্তা) জনৰ মস্তিষ্ক ভাল নহয়, কিম্বা সি প্ৰতাৰক, অথবা সি অসাৱধান নাইবা তাৰ প্ৰমাদ আছে, তেতিয়া আমালোকে সেই উৎপন্ন শব্দবোধৰো অযথাৰ্থতা ধৰি লওঁ। যেনে, আমি স্পৰ্শৰ দ্বাৰা চিৰকাল জানো, জুয়ে পোৰে, অৰ্থাৎ জুই তপত আৰু চকুৰ দ্বাৰা সদাই দেখিব লাগিছোঁ যে গাখীৰ বগা। কোনোবাই যদি কয় যে, "জুই চেঁচা" বা "গাখীৰ কলা" তাক আমি কেতিয়াও বিশ্বাস নকৰোঁ। কাৰণ, জুইৰ উষ্ণতা আৰু গাখীৰৰ শুক্লতা আমাৰ প্ৰত্যক্ষ সিদ্ধ। সেইবিলাকৰ শৈত্য আৰু কৃষ্ণত্ব প্ৰত্যক্ষ প্ৰমাণৰ দ্বাৰা বাধিত।

শব্দ বোধৰ কৰণ শব্দ, নিজে দূষিত নহলেও, সেই শব্দৰ প্ৰয়োগ কৰ্ত্তা দুষ্ট হব পাৰে। প্ৰয়োক্তাৰ ভ্ৰম, প্ৰমাদ,

বিপ্ৰলিপ্সা (প্ৰতাৰণাৰ ইচ্ছা) আৰু অনৱধানতা (অমনোযোগ) প্ৰভৃতি কাৰণে শব্দ দুষ্ট হলে শব্দবোধৰূপ পৰোক্ষ জ্ঞানো অযথাৰ্থ হয়। এই হল মীমাংসকৰ মতে জ্ঞানৰ স্বতঃ প্ৰামাণ্য সিদ্ধান্ত। এই সিদ্ধান্ত অনুসাৰে কেনেকৈ নোশ্ৰুতিৰ (বেদৰ) পৰা উৎপন্ন জ্ঞান যথাৰ্থ বা প্ৰমা বুলি ঠিক কৰে তাকে চোৱা য'ক। এই যে জ্ঞানৰ স্বতঃ প্ৰমাণ্য সিদ্ধান্ত দেখুৱা হল, ই প্ৰসিদ্ধ মীমাংসাচাৰ্য্য কুমাৰিল ভট্টৰ মত। কিন্তু গুৰু বা প্ৰভাকৰ নামৰ প্ৰসিদ্ধ মীমাংসাচাৰ্য্য জনে এই মত সম্পূৰ্ণ ভাৱে সমৰ্থন নকৰে। তেখেতৰ মতে জ্ঞান মাত্ৰই প্ৰমা বা যথাৰ্থ। ভ্ৰম জ্ঞান কাৰো কেতিয়াও নহয়, অৰ্থাৎ ভ্ৰম বোলা জ্ঞান নাই। ভ্ৰম কি? যদি কোৱা বিবেচনাৰ অভাৱৰ নাম ভ্ৰম তেন্তে সুষুপ্তি (গভীৰ টোপনিৰ) নামো ভ্ৰম হব পৰা হল। যদি ভেদ জ্ঞানৰ অভাৱকেই ভ্ৰম বোলা হয়, তেন্তে দূৰৈৰ পৰা বহুত বস্তু দেখিছোঁ, কিন্তু ইটোৰ লগত সিটোৰ ভেদ ঠিক কৰিব পৰা নাই, ইয়াকো ভুল বুলিব পৰা হল। অযথাৰ্থত যথাৰ্থ বুদ্ধিকে ভ্ৰম বোলে? এই কথা কলেও ঝিনুকত (শুক্তি) ৰূপ (ৰজত) জ্ঞান ভ্ৰম হব নোৱাৰে; ঝিনুক কোনো দিন ৰূপ নহয়, ৰূপো কোনো দিন ঝিনুক হব নোৱাৰে। ধৰি লওঁক, এডোখৰ ঝিনুক দূৰৈৰ পৰা দেখিলোঁ; তাৰ পিছতে এই ডোখৰ ৰূপ বুলি মই জানিলো; এয়ে অনুব্যৱসায় হল (১)। ইয়াত "মই" এই অংশ জ্ঞাতাৰূপে, "এই ডোখৰ" আৰু "ৰূপ" এই দুই অংশ জ্ঞেয়ৰূপে, "জানো" এই অংশ জ্ঞানৰূপে ভাসমান হঁল। অযথাৰ্থত যথাৰ্থ বুদ্ধিৰ নাম হল ভ্ৰম। প্ৰভাকৰৰ মতে অযথাৰ্থত যথাৰ্থ বুদ্ধি নহয়েই। "মই এই ডোখৰ ৰূপ জানো" (ৰজত মিদমহংজানামি) এই স্থলত "জ্ঞাতা" (মই) অংশত জ্ঞান প্ৰমাণ, এই জ্ঞান মোৰ হৈছে, আনৰ নহয়। "জ্ঞেয়" (এই ডোখৰ) অংশতো জ্ঞান প্ৰমা, কাৰণ এই ডোখৰ বিষয়ক যে মোৰ জ্ঞান ইও সঁচা। "ৰূপ" এই অংশতো জ্ঞান প্ৰমা, কাৰণ ৰূপ নামৰ বস্তুটো মোৰ মানস পটত ভাহিছে, গতিকে ৰূপ বিষয়ক জ্ঞান (স্মৃতি) মোৰ হৈছে। "জানো" এই অংশতো জ্ঞান প্ৰমাণ, কাৰণ, মোৰ জ্ঞান হোৱা নাই, এনে নহয়। এই ঠাইত দুয়ো বিষয়ক দুটা জ্ঞান হয়। "এইডোখৰ" এই অংশত এই বিষয়ৰ জ্ঞান, আৰু, "ৰূপ" এই অংশত ৰূপৰ বিষয়ক স্মৰণ, গতিকে দুয়োটাই যথাৰ্থ। যেতিয়া ঝিনুক ডোখৰ দেখিলোঁ, তেতিয়া কৰণাদিৰ দোষৰ দ্বাৰা আগেয়ে জনা ৰূপৰ স্মৰণ হল। ৰূপৰ লগত ঝিনুকৰ সাদৃশ্যই এই স্মৃতিৰ প্ৰধান কাৰণ। যেতিয়া তাক গ্ৰহণ কৰিবলৈ গলোঁ তেতিয়া ঝিনুকৰ প্ৰত্যক্ষ আহিল আৰু ৰূপৰ স্মৃতি আঁতৰিল। গতিকে ইয়াৰ নাম "স্মৃতি প্ৰমোষ" হে। আচলতে ভ্ৰম জ্ঞানৰ নাম গুৰুৱে "আৰোপ জ্ঞান" থৈছে বুলি কলেই হয়; ৰূপৰ স্মৃতি ঝিনুকত আৰোপিত হয়। ইত্যাদিৰূপে প্ৰভাকৰে ভ্ৰম জ্ঞান যে পুৰুষৰ নহয়, এইটো ভালকৈ দেখুৱাইছে। আজিকালি মীমাংসা দৰ্শনৰ অধ্যয়ন-অধ্যাপনাৰ অভাৱত বিশেষকৈ আমাৰ দেশত গুৰু আৰু ভট্ট আদিৰ অভিপ্ৰায় গ্ৰহণ কৰা লোক বৰ কম বুলি কলেও হয়। গতিকে আমাৰ নিচিনা মানুহে ইয়াৰ বাহুল্য ভাৱে আলোচনা কৰিবলৈ গলে, নিজৰ ধৃষ্টতা প্ৰকাশ কৰা হব আৰু সেই মহাত্মাসকলৰ নামত কলঙ্ক অনা হে হব। সেই বাবে গুৰু আৰু ভট্টৰ বহুমূলীয়া আৰু দুৰ্ব্বোধ্য যুক্তি গ্ৰহণ কৰিবলৈ হাত নেমেলিলোঁ। গুৰুৰ মতে জ্ঞান মাত্ৰই স্বপ্ৰকাশ, অৰ্থাৎ জ্ঞানৰ নিজৰ প্ৰকাশক নিজে। এইদৰে মুৰাৰি মিশ্ৰ নামে প্ৰসিদ্ধ মীমাংসকজনেও, জ্ঞান মাত্ৰকেই অনুব্যৱসায় বা মানস-প্ৰত্যক্ষ বিশেষৰ দ্বাৰা প্ৰকাশ্য বুলি সিদ্ধান্ত কৰিছে। কিন্তু কুমাৰিল ভট্টই কোনো জ্ঞানকে স্বপ্ৰকাশ বুলি স্বীকাৰ নকৰে। তেখেতৰ মতে জ্ঞান মাত্ৰেই নিজ নিজ বিষয়টিকে প্ৰকাশ কৰে; জ্ঞানৰ প্ৰকাশ, জ্ঞানান্তৰ অৰ্থাৎ পৰজাত জ্ঞাততালিঙ্গক (জ্ঞাততাই হেতু হৈছে যাৰ) এনে অনুমানৰ দ্বাৰাই হয়।

জ্ঞানৰ স্বতঃ প্ৰামাণ্য সিদ্ধান্ত প্ৰভাকৰৰ মতেও ৰক্ষিত হৈছে। শব্দ স্বাভাৱিক দোষ যুক্ত নহলেও প্ৰয়োগকাৰীৰ ভ্ৰম, প্ৰমাদ, বিপ্ৰলিপ্সা, (প্ৰতাৰণাৰ ইচ্ছা) আদি দোষৰ দ্বাৰা দুষ্ট হোৱা বুলি ধৰি লোৱা হয়; এই কথা আগেয়ে কোৱা হৈছে। বেদস্বৰূপ যি শব্দ ৰাশি, তাত কিন্তু এনে

(১) অনুব্যৱসায় মানে মানস প্ৰত্যক্ষ বিশেষ; অৰ্থাৎ বস্তুৰ প্ৰত্যক্ষ হোৱাৰ পিছত তদ্বিষয়ক জ্ঞানটি যি ভাৱে মনত উপস্থিত হয়।

দোষ নাই, থাকিবও নোরারে। সেই কারণে বেদরূপ শব্দজন্য যি আমালোকর জ্ঞান হয় সি প্রমা বা যথার্থই হয়। যেনেকৈ লৌকিক জ্ঞানবোর পিছত আতাই করণ দোষ বা বিষয় বাধ থকা বুলি জানিলে, অপ্রমা বা ভ্রান্তি হৈ পরে, তেনেকৈ বেদজন্য জ্ঞানবাশিত করণ দোষ নাই আরু বিষয় বাধ হব নোরারে বুলি অপ্রমা বা অযথার্থ হব নোরারে। সেই বারে বেদজন্য জ্ঞানর প্রমাণ্য সর্ব্বদাই রক্ষিত হয়।

বেদত আছে যে "সিজনে স্বর্গভোগ করিবলৈ কামনা করে সেইজনে অশ্বমেধ যাগ করিব লাগে" (স্বর্গকামো হশ্বমেধেন যজেত)। চোরা য'ক, এই কথা শুনিলে শুনোতাৰ কোনো জ্ঞান হয় নে নহয়। এই বাক্য শুনিলে ব্যুৎপন্ন ব্যক্তির কোনো জ্ঞান নহয় এই কথা কব নোরারি ; কলেও "মোৰ আই বন্ধ্যা আছিল" বুলি কোরাৰ দরে প্রত্যক্ষর অপলাপ করা হয়। এই শ্রুতির পরা "স্বর্গকামনাবান্ ব্যক্তিয়ে অশ্বমেধ যাগ করিব লাগে" এই জ্ঞান সম্ভৱ ভাষা জ্ঞান থকা মানুহ মাত্রৰে হয় ; এইটো সকলোরে জানে। বেদ শব্দৰ পরা যেতিয়া আমালোকৰ এনে ধরণৰ জ্ঞান হয় তেতিয়া সেই জ্ঞানো আমালোকৰ পূর্ব্বোক্ত স্বভাৱ অনুসাৰে প্রমা বা যথার্থ রূপেই প্রতিভাত হয়। যাগ করিলে স্বর্গ নহয় বা যাগ করিলে স্বর্গ হব নোরারে, অথবা নহবও পারে, এনেকুরা বিপরীত জ্ঞান বা সন্দেহ জ্ঞান আমালোকৰ এনে শব্দৰ পরা কেতিয়াও নহয়। এইটো সকলোরে বুজে। এতিয়া কথা হৈছে এই, যে ঝিমুকত রূপ জ্ঞান বা বর্জ্জুত সর্প জ্ঞানৰ দরে এই জ্ঞান, অপ্রমাওতো হব পারে ? ইয়াৰ উত্তৰত মীমাংসা দর্শনৰ আচার্য্যসকলে কয়, যে এই জ্ঞান যে ঝিমুকত রূপৰ দরে জ্ঞানৰ ভ্রান্তি জ্ঞান তাক বুজো কেনেকৈ ? কোনো জ্ঞানৰ ভ্রমত্ব বা অযথার্থতা নিরূপণ করিবলৈ হলে, সেই উৎপন্ন জ্ঞান, বাধক প্রত্যয় বা করণ দোষৰ দ্বাৰা বাধিত হব পাবেনে নোরারে তাকে চাব লাগে। প্রকৃত স্থলত তাৰ নির্ণয় হোরাৰ কোনো সম্ভাৱনা দেখা নাযায়। বৈদিক কার্য্যৰ অনুষ্ঠানৰ ফল পরলোকত অর্থাৎ মৃত্যুৰ পিছত আন বকমৰ শৰীৰ গ্রহণ করি উপভোগ করিব লগীয়া সুখ বিশেষ হব নোরারে ; এনে কোনো যথার্থ জ্ঞান, কোনো প্রমাণৰ দ্বাৰা আমালোকৰ হব নোরারে। পূর্ব্বে প্রত্যক্ষ প্রমাণ সিদ্ধ জ্ঞানৰ দ্বাৰাও এই জ্ঞান বাধিত হব নোরারে ; কাৰণ, স্বর্গাদি ভোগ্য বস্তু প্রত্যক্ষ রূপে দেখা নাযায়। এনে কোনো ইন্দ্রিয় আমালোকৰ নাই যি ইন্দ্রিয়ৰ দ্বাৰা, বেদ বোধ্য যাগৰ বাবে স্বর্গৰ উৎপত্তি আমালোকে প্রত্যক্ষ করিব পারো। গতিকে যাগ স্বর্গৰ কাৰণ নহয়, এইটো প্রত্যক্ষ প্রমাণ সিদ্ধ হোরা অসম্ভৱ। অনুমান প্রমাণৰ দ্বাৰাও হব নোরারে ; কাৰণ স্বর্গ প্রত্যক্ষ সিদ্ধ নহয় আরু হব নোরারে ; গতিকে সি সেনেকৈ অনুমানৰ সাধ্য হব নোরারে, তেনেকৈ তাৰ অভাৱো প্রত্যক্ষ সিদ্ধ হব নোরারে ; সেই বারে স্বর্গৰ, আরু স্বর্গাধনৰ অভাৱ (১) অপ্রসিদ্ধ হোরা বারে সি অনুমান প্রমাণৰ প্রমেয় হব নোরারে।

যদি কোরা, বেদ বাক্যৰ পরাতো স্বর্গৰ জ্ঞান হয়, গতিকে সেই অনুমানৰ দ্বাৰা তাৰ অভাৱৰ জ্ঞান নহয় কিয় ?

তেনেহলে ফলতঃ তেনেকুরা অনুমান হোরাৰ আগেয়ে বেদবাক্যরূপ প্রমাণৰ দ্বাৰাই স্বর্গ সিদ্ধ হৈ যায় ; অতএব সেই বেদবাক্যরূপ প্রবল প্রমাণোপজীব্য প্রবল প্রমাণমূলক) অনুমান রূপ দুর্ব্বল প্রমাণৰ দ্বাৰা উপলব্ধি (আশ্রয়স্থান) বেদবাক্য-প্রমেয় স্বর্গাদি পদার্থ বাধিত হব নোরারে। এই কারণে প্রামাণান্তৰৰ দ্বাৰা ইয়াৰ (বেদৰ) প্রতিপাদ্য বিষয় বাধিত হোরা বুলি কব নোরারি। বেদবাক্য জনিত বোধ যে অযথার্থ বুলি ধরি

(১) যাগেই সাক্ষাৎরূপে স্বর্গৰ কাৰণ হব নোরারে ; কাৰণ, কাৰণবোধ কার্য্যৰ অব্যবহিত (ঠিক) পূর্ব্বক্ষণত থকাৰ নিয়ম। যাগ চিৰস্থায়ী বস্তু নহয়। সি অনুষ্ঠানৰ পিছতে নষ্ট হৈ যায়। ই প্রত্যক্ষ সিদ্ধ ; গতিকে পৰজন্মৰ উপভোগ্য স্বর্গৰূপ ফলৰ কাৰণ যাগ হব কেনেকৈ ? সেইবাবে যাগৰ পরা অপূর্ব্ব নামে পদার্থ এটিৰ জন্মে বুলি মীমাংসক সকলে স্বীকাৰ করে, সেই অপূর্ব্ব স্বর্গৰ উৎপত্তি পর্য্যন্ত থাকে। সেই অপূর্ব্বৰ নামে পুণ্য। এই অপূর্ব্ব সম্বন্ধে মীমাংসকৰ মত কেছি বিচাৰ কৰিছে। অতি সূক্ষ্ম সময়কে (যাৰ আৰু বিভাগ হব নোরারে সেই সময়ক) ক্ষণ বোলে।

লব পারি, এনেও নহয়। শব্দরূপ করণৰ দ্বাৰা যি শব্দবোধরূপ জ্ঞান হয়, সি অযথার্থ, ইয়াক নির্ণয় করিব লাগিলে, এই শব্দৰ প্রথম প্রয়োক্তা জনৰ ভ্রম, প্রমাদ, বিপ্রলিপ্সা অনবধানতা বা ইন্দ্রিয় দুর্ব্বলতা প্রভৃতি দোষ-বোৰৰ এটা নহয় এটা আছে, এইক্ষণ নির্ণয় হোরা আৱশ্যক। বেদৰ প্রথম প্রয়োক্তা পুরুষ যে আছে এইটোরে কোনো প্রমাণৰ দ্বাৰা সিদ্ধ নহয় ; গতিকে প্রয়োক্তা পুরুষ বা নাৰীৰ ভ্রম প্রমাদাদি দোষ-নিবন্ধন বৈদিক শব্দৰ ছষ্টতা নিরূপিত হব নোরারে। প্রয়োক্তা বা বক্তা নহলে শব্দ হব নোরারে, গতিকে শব্দস্বরূপ বেদ দেখি তাৰ প্রয়োক্তাৰ অনুমান অনায়াসে হয় ; অতএব বেদৰ প্রয়োক্তা পুরুষ, অনুমান সিদ্ধ বুলি কব নোরারো নে ? কিন্তু নোরারো ; কাৰণ, মীমাংসকৰ মতে শব্দ নিত্য বস্তু, যেনে আকাশ, গতিকে প্রয়োক্তা নহলেও থাকিব পারে। নিত্য শব্দ, উচ্চারণৰ দ্বাৰা প্রকাশ পায় মাত্র ; ইয়াক পিছলৈ কোরা হব। যদি কোরা যে আকাশোতো ঈশ্বৰ কৃত, গতিকে নিত্য বস্তু শব্দবো কর্ত্তা থাকিব লগা হল। এই আশঙ্কাৰ উত্তৰ এই যে, নিত্য বস্তুৰ কর্ত্তা ঈশ্বৰ ভিন্ন হব নোরারে, গতিকে শব্দবো কর্ত্তা ঈশ্বৰ বুলি স্বীকাৰ করিবই লাগিব, কাৰণ, আন কর্ত্তা থকাৰ কোনো প্রমাণ নাই। সেয়ে হলে জ্ঞানময় ঈশ্বৰৰ তো ভ্রম প্রমাদাদি দোষ থাকিবই নোরারে, ইয়াক ঈশ্বৰ মনা জাতি মাত্রেই মানে। গতিকে ঈশ্বৰৰ উপদিষ্ট বেদস্বরূপ শব্দজন্য জ্ঞান কিয় অপ্রমাণ হব। মীমাংসা দর্শন জৈমিনি সূত্রত ঈশ্বৰৰ নাম নাই, গতিকে অনেক ভাবে আক কয় যে মীমাংসকে ঈশ্বৰ নামানে। কিন্তু আমালোকে এই কথা সঁচা বুলি মানি লব নোরারো। কাৰণ, মীমাংসা দর্শন বচিত হোরাৰ পূর্ব্বেই পতঞ্জলি আদি মহর্ষি সকলৰ দার্শনিক যুক্তিৰ দ্বাৰা ঈশ্বৰৰ অস্তিত্ব স্থাপিত হৈছে। গতিকে ঈশ্বৰৰ অস্তিত্ব স্থাপন করিবৰ বাবে ঈশ্বৰৰ নাম করিবৰ প্রয়োজন নাই। বিশেষতঃ বেদ বাক্যৰ স্বতঃ প্রামাণ্য স্থাপন, আরু কর্ম্মানুষ্ঠানৰ সাফল্য দেখুৱাই মীমাংসা-দর্শনৰ প্রধান উদ্দেশ্য। বেদ ঈশ্বৰ কৃত, এইটো প্রমাণ করিলেই, বেদৰ স্বতঃ প্রমাণ্য সিদ্ধ হৈ যায় ; তাত আৰু প্রশ্নবো অবকাশ নাথাকে, উত্তরলো অবকাশ নাথাকে। ইয়াকে নকরি আন প্রকারে বেদৰ প্রামাণ্য স্থাপন করাৰ উদ্দেশ্য হৈছে, তেতিয়া যিসকলে ঈশ্বৰৰ অস্তিত্ব নামানিছিল সেইবোৰৰ ওচরতো বেদৰ প্রামাণ্য রক্ষা করা। বেদৰ প্রামাণ্য রক্ষিত হলে, বেদ বাক্যৰ দ্বাৰা ঈশ্বৰৰো অস্তিত্ব নিরাপদ হয়। যদি জৈমিনিয়ে ঈশ্বৰ নামানিলে হয়, তেন্তে নিশ্চয় ঈশ্বৰৰ প্রসঙ্গ তুলি ঈশ্বৰৰ অস্তিত্ববাদ খণ্ডন করিলে হয়। যদি ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে আলোচনা নকরিলেই ঈশ্বৰ নমনা হয়, তেন্তে গোতম, কপিল আৰু কণাদকো ঈশ্বৰ নমনা বুলি কব পারি। কাৰণ, তেখেত-সকলৰ দর্শনতো ঈশ্বৰতৰ সম্বন্ধে বিশেষ আলোচনা নাই। আৰু জৈমিনিৰ পৰৱর্ত্তী মীমাংসক সকলে ঈশ্বৰ স্বীকাৰ কৰাৰ প্রমাণ পোৱা যায়। গতিকে মীমাংসকে ঈশ্বৰ নামানে বুলি কলে পতিয়াব নোরারি।



ভক্তিমার্গ

(৭)

—শ্রীযুত লক্ষ্মীনাথ বেজবরুৱা

কর্ম্ম আরু জ্ঞানমার্গৰ দ্বাৰাই ঈশ্বৰ লাভ কৰা বৰ কষ্ট-সাধ্য। ভক্তিমার্গ সুগম। ঈশ্বৰৰ চৰণত কায়বাক্যমনেৰে শৰণ ললে ঈশ্বৰে শৰণাগতক ভক্তি দান কৰে। ভক্তি ৰসময়ী আৰু অমৃতময়ী। ঈশ্বৰো ৰসস্বৰূপ আৰু অমৃত-স্বৰূপ। ঈশ্বৰৰ বিষয়ে জ্ঞানৰ নামেই ভক্তি নহয়। ঈশ্বৰ-বিদ্বেষীৰো জ্ঞান হব পাৰে; কিন্তু অকল তাৰ দ্বাৰাই ঈশ্বৰত প্ৰীতি আৰু ভক্তি নহয়। প্ৰীতি সুখীয়া পদাৰ্থ। তোমাৰ কোনো এজন শত্ৰুৰ বিষয়ে তোমাৰ যথেষ্ট জ্ঞান হব পাৰে, কিন্তু তাৰ ওপৰত তোমাৰ প্ৰীতি নহয়। উদাহৰণ,—কৃষ্ণবিদ্বেষী শিশুপাল, আৰু নিজকে কৃষ্ণ সজা কংস দেশৰ অধিপতি পৌণ্ড্ৰক বজা। ঈশ্বৰত ঐকান্তিক অনুৰাগৰ সঞ্চাৰ হলে, ভক্ত আৰু ঈশ্বৰৰ মাজত পৃথক অস্তিত্বৰ উপলব্ধি নাথাকে।

"বামনৰ আগে শুক্ৰৰ বাক।
অষ্টম স্কন্ধত দেখিয়া তাক॥
ভকত জনে সে মোৰ হৃদয়।
মহো ভকতৰ হিয়া নিশ্চয়॥
মোত বিনে ভকে নিচিন্তে আন।
ভকত বিনে মোৰো নাহি ধ্যান॥" (কীৰ্ত্তন)

সম্পূৰ্ণ ভক্তি হলে জ্ঞান লাস হৈ যায়। গীতাত ভগৱন্তই নিজে কৈছে—যি একান্ত ভক্তি যোগেৰে সমস্ত কৰ্ম্ম মোত অৰ্পণ কৰি মৎপৰায়ণ হৈ মোক উপাসনা কৰে, যাৰ চিত্ত মোত অবিষ্ট/তাক মই শীঘ্ৰে সংসাৰ-সাগৰৰ পৰা উদ্ধাৰ কৰো। ভক্তি ক্ৰিয়াসাপেক্ষ নহয়। জ্ঞান আৰু যোগ ক্ৰিয়া সাপেক্ষ। অভ্যাস কৰোতে কৰোতে জ্ঞান আৰু যোগ সাধকৰ আয়ত্ত হয়; ভক্তি কিন্তু তেনে কৌশলেৰে লাভ কৰা নাযায়, ঈশ্বৰৰ চৰণত একান্ত মনেৰে শৰণাগত হলেহে ঈশ্বৰে শৰণাগতক কৃপা কৰি ভক্তি দান কৰে। সেই দেখি ভক্তৰ প্ৰাৰ্থনা—

"পতিত-পাৱন বামকৃষ্ণ কৃপাসিন্ধু।
ভকতি অমিয়া ৰস মাগোঁ এক বিন্দু॥
"যাদৱ জয় মুকুন্দ তোমাৰ চৰণে লাগোঁ।
শৰণ কীৰ্ত্তন নিশ্চল ভকতি কাকুতি কৰিয়া মাগোঁ॥"
"হৰি তুমি আনন্দ সিন্ধু।
হামো ভিক্ষাৰি মাগোঁ এক বিন্দু॥"
"তোমাৰ চৰণে হৰি, কেৱলে ভকতি বিনে
মোৰ আৰ নাহি আন কাম॥" (ঘোষা)

ভক্তিৰ ফল অনন্ত। কাৰণ অন্তহীন বা ক্ৰিয়াৰ বৈগুণ্যত মানুহে অনেক যত্নেৰে সাধনা কৰা ফল ক্ষীণ হৈয়ো যাব পাৰে; কিন্তু ভক্তি কৃপালু ঈশ্বৰৰ দান; অনন্ত ঈশ্বৰৰ দানো অনন্ত।

ঈশ্বৰে গীতাত কৈছে "বহূনাং জন্মনামন্তে জ্ঞানবান্ মাং প্ৰপদ্যতে।" ভক্তি কিন্তু আশু ফলপ্ৰদ।—

"পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ কালৰে পৰা বিদিত কিঙ্কৰ ওচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন॥" (ঘোষা)

ভক্তিয়েই মুখ্য বস্তু। ভক্তিয়ে জ্ঞানৰ সহায় নিবিচাৰে কিন্তু জ্ঞানত ভক্তিমিশ্ৰিত নহলে সেই জ্ঞানে তাবিৰ নোৱাৰে।

তস্মান্নাদ্ভক্তিযুক্তস্য যোগিনো বৈমদাত্মনঃ।
ন জ্ঞানং ন চ বৈৰাগ্যং প্ৰায় শ্ৰেয়োভবেদিহ॥ (গীতা)

"মোৰ ভক্তিযুক্ত যোগীয়ো জানিবা
মোতেসে চিত্ত যাহাৰ।
জ্ঞান কৰ্ম্মবিনে কেৱল ভক্তিত
পাৱয় সংসাৰ পাৰ॥
কেৱল ভকতি পুৰুষক তাবে
সহায় কাকো নচাবে।
জ্ঞান কৰ্ম্মতারে তাবিবে নপাবে
ভকতি নগাবে যাৰে॥" (ঘোষা)

শবদ এশ্বৰ পাৱ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ মাত্ৰ শ্ৰম, শ্ৰুত মাত্ৰ ফল
যেন বাখে বাঁজী গাই॥" (ঘোষা)

"ভক্ত্যা মামভিজানাতি যাবান্ যশ্চাস্মি তত্ত্বতঃ।

ততো মাং তত্ত্বতো জ্ঞাত্বা বিশতেতদনন্তৰম্॥" (গীতা)

অৰ্থাৎ ভক্তই মোক জানে, আৰু মোক জানি পিছত মোত প্ৰবেশ কৰে।

জ্ঞানৰ দ্বাৰাই ব্ৰহ্মদৰ্শন হলেও ভগৱদ্দৰ্শনজনিত আনন্দ ভোগ কৰিবলৈ হলে ভক্তিৰ প্ৰেমৰস অত্যাৱশ্যক।

আবিষ্কাৰ

কথা—

—শ্ৰীযুত মহীচন্দ্ৰ বৰা বি-এল

অশ্বিনী উবাচ

(তদা নাশংসে বিজয়ায় সঞ্জয়)

সঞ্জয় শৰ্ম্মাই শান্তি বিয়াৰ গৰিলা লৈ পত্নীৰ কাৰণে নিউ মাৰ্কেট চলধ কৰি নানা বিধ বয় বস্তুবে যেতিয়া হেবিচন ৰ'ডৰ মেহুত সোমালহি তেতিয়াও অশ্বিনী বকৰাৰ মুখৰ সেই "হেড্ ইউ বিন এ গ্ৰাছ অৰ ওৱাটাৰ" ইংৰাজী গানৰ সুৰৰ কঁপনি মাৰ ঘোৱা নাছিল।

সঞ্জয়ে হাঁহি হাঁহি কলে,—"দাদাৰ অন্তৰৰ অনন্ত পিয়াহ ওচাবলৈ—হিয়াৰ চাহাৰা মৰুভূমি ভিজাবলৈ এবাতি মধোন পানী! পিছে আজিৰ পৰীক্ষাৰ ফলৰ কেনে?"

"শুন সঞ্জয়, কৰ্ম্মণ্য বাধিকাৰস্তে মা ফলেষু কদাচন। পৰীক্ষা তবিছে, কাকত মেলিছোঁ, ফলাফল তোৰ পৰীক্ষকৰ হাতত। কিন্তু তই জনা উচিত আজি ছবছৰৰ কলিকতাৰ কেওঁ কলেজ বাগৰি সমশেষত যেতিয়া বম্বৰাগীত প্ৰৱেশ কৰিলোঁ তদা নাশংসে বিজয়ায় সঞ্জয়। তাৰ পিছত ইংৰাজী প্ৰশ্ন কাকতৰ পোন্ধৰটা প্ৰশ্নৰ ভিতৰত যেতিয়া তোৰ অশ্বিনীকুমাৰে কেৱল তিনটাৰ অবিহিত উত্তৰ দি মেহুলৈ ঘুৰিছিল তদা ডিগ্ৰীলাভো নাস্তি ৰে সঞ্জয়। আৰু আজি যেতিয়া বোটানি পৰীক্ষাৰ উত্তৰৰ কাকত এটি কলা আঁক নবছোৱাকৈ নিৰ্ম্মল ভাৱে পৰীক্ষকৰ হাতত শোধাই দৈ আহিছোঁ তদা মে 'প্লাকো' ধ্ৰুৱ হি সঞ্জয়। মোৰ ধেৰ নাই। এনে নিষ্কামী কৃষ্ণভক্ত পুৰুষ ভূ-ভাৰস্তত ওই বিচাৰি নাপাবি। দুখ লাগিছে হিংসা উপজিছে মধোন তোৰ এই বয়-বস্তুবোৰ দেখি,—চেমিজ, ষ্লাউজ, ছেণ্ডল বজাবখন দেখি। আজিৰ দিনটৈ চাই বামুণ নহলোঁ হায়—"

"অৰ্থাৎ ?"

"অৰ্থাৎ বাবে বাবে বি-এ ফেল কবিছোঁ বুলিয়েই যে বিয়াতো মই ফেল মাবিম তাৰ কিবা অৰ্থ আছে নে? বয়স পয়ত্ৰিশৰ ওচৰ চাপিল, পঢ়োঁতে পঢ়োঁতে গালৰ হনু ওলাল, চুলি আৰু গোঁফৰ আগ মাওৰ বৰণীয়া হল, অথচ দাদাৰ এতিয়াও সুমতি নহল মোৰ ঘৰখন পাতিবলৈ। কৰ—বপাই বাৰ বি-এ পাছ কৰকচোন। যেন বি-এ পাছ মকবাই আৰু গৃহস্থী কবাইহে নাই। সেই দেখি হে কৈছোঁ সঞ্জয় তইতৰ নিচিনা বামুণ হোৱা হলে ইমান দিনে অশ্বিনীৰ গাত বিয়াৰ শান্তি-পানী নপবাকৈ নাথাকে।"

"দাদাৰ অন্তৰত আজি নিশ্চয় ক্ৰেতাৰ ৰাবণ জাগি উঠিছে।"

"অকল তোৰ সেই মহাপুৰুষেই নহয়—ৰাপৰৰ অৰ্জ্জুন, কলিৰ ৰমিৰেও ভূমুকি মাৰিছে। যক—।" দি নাইট ইজ ইযং মাই লভ—গান গাই অশ্বিনীয়ে সুছবিয়াবলৈ ধৰিলে।

থেঙ্কছ—মেনি মেনি থেঙ্কছ

(নবৌৰ মুখত কিন্তু বুদ্ধি নাই)

পিছ দিনা পিয়নে অশ্বিনীৰ হাতত এখন চিঠি দি গল।

চিঠিৰ খামটোৰ ওপৰত লিখাটৈ চাই মুখ আমোলাই অশ্বিনীয়ে কলে,—"দাদাৰ চিঠি অ' সঞ্জয়। পঢ়াৰ প্ৰয়োজন নাই। নিশ্চয় পৰীক্ষাৰ বাতৰি সুধি সোনকালে ঘৰলৈ মাতিছে। লগতে নবৌলৈ নিবলৈ চাগৈ বয়-বস্তৰ এখনি বিবাট তালিকাও পঠাইছে। বাক, এইবাৰ তপ কৰক। নবৌক পাকে-প্ৰকাৰে কিমান কলোঁ, মোৰ এই শুকান মুখখনিত বস ঢালিবৰ কতনো সঙ্কেট দিলোঁ। দেখিও নেদেখিলে—বুজিও নুবুজিলে। মোৰ বিয়াৰ বিষয়ত এটাইখন একদিল। সঞ্জয়, তই যা। শান্তি বিয়া কৰি

শান্তি লাভ কৰগৈ। দাদাক কবি অশ্বিনীয়ে পৰীক্ষাৰ ফল নোলোৱালৈকে কলিকতাতে কটাব বুলি। ইচ্ছা হলে ফল কি হব আগতেই বাহিৰ কৰিবৰ আমোক্তাৰ-নামা সহ সম্পূৰ্ণ ক্ষমতাও তোক দিলোঁ। উঃ—ডিঙি শুকাই আহিছে, জিভা খৰ্খৰীয়া মাৰিছে—আন সঞ্জয় চাহ আন।"

মেলোঁ-নেমেলোঁকৈ অশ্বিনীয়ে চিঠি মেলি পঢ়ি উকলীকৃত হৈ সঞ্জয়ৰ পিঠিত এটা গেমেহা ভুকু শোধাই কলে, "নবৌ, মোৰ অজ্ঞানকৃত দায়-দোষ মৰিষণ কৰিবা। তোমাৰ শ্ৰীচৰণত এই সেৱকৰ শত সহস্ৰ কোটি কোটি দণ্ডৱৎ প্ৰণাম। থেঙ্কছ দাদা, তোমাৰ প্ৰতিও কৃতজ্ঞ ভায়েৰাৰ মেনি মেনি থেঙ্কছ। সঞ্জয় শুন, তোৰ ভাগ্যত আজি দেলখোচ কেবিনত জ্যাকাত মিলিছে। পঢ়।"

সঞ্জয়ে পঢ়িলে,—

"বোপা,

কালি আমি দুয়ো নগাৱঁলৈ গৈ ছোৱালী চাই আহিছোঁ। কুমাৰৰ সাঁচত গঢ়া টুপটুপীয়া ধুনীয়া মুখেৰে লাহৰী লখিমী ছোৱালীটি,—সাইলাখ পাখিলাহী গোলাপী ৰঙৰ পখিলীটি। বিয়াৰ দিন এই বহাগৰ ১৫ তাৰিখে। তুমি ইবোৰ-সিবোৰ নাপাতি এই চিঠি পোৱা মাত্ৰেই আহিবা বুলি আমি সকলোটিয়ে হেঁপাহেৰে বাট চাই আছোঁ।"

"হায় নবৌ, তুমি এতিয়াও ধৰিব পৰা নাই অশ্বিনীৰ প্ৰাণৰ ব্যৰ্থতাৰ পৰিমাণ কিমান! লিখিছোঁ—ইবোৰ সিবোৰ নাপাতিবলৈ। তেনে দুৰ্ম্মতি তোমাৰ এই ভায়েৰাৰ-মৰমৰ-ননদৰ আগৈয়েও হোৱা নাছিল, এতিয়াও হোৱা নাই, আগলৈকো নহব নবৌ। কি লিখিছে সঞ্জয়? এই বহাগৰ ১৫ তাৰিখে বিয়া! নগাৱঁৰ লাহৰী লখিমী ছোৱালী কুমাৰৰ সাঁচত গঢ়া প্ৰতিমা; গোলাপী ৰঙৰ পাখিলাহী পখিলী। নবৌৰ মুখত ফুল-চন্দন পৰক। আজি বহাগৰ কিমান? কি কলি ছদিন? ওচৰেই চাপিল। হ'ক হ'ক। বামুণৰ লৰা তই আশীৰ্ব্বাদ দে সঞ্জয়। আৰু কৈ দে মোৰ সন্তাপহাৰিণীৰ কাৰণে কলিকতাৰ পৰা কি কি কিনিব লাগিব। তোৰ 'এক্সপাৰ্ট অপিনিয়ন' মোক লাগে। এটা অৰ্গেণ, এখনি চেতাৰ অৱশ্যে লাগিব। গান গাব চাগৈ নিশ্চয় জানে নহয় নে সঞ্জয়? যেতিয়া সেই সোৱাদ-সুৰীয়া মৌ-মাতেৰে—যক। কিন্তু এবাৰ নিজে চোৱা ভাল, কি বোল? কি লিখিছে?—নগাৱৰ লাহৰী চিকুণ ছোৱালীটি। নবৌৰ মূৰত যদি আধানমানিও বুদ্ধি থাকিলহেঁতেন। মোৰ জীৱন-সঙ্গিনীৰ আঁতি-গুৰিৰ সঙ্কেতটোও বাৰু দিব নাপায় নে?"

হাঁহি হাঁহি সঞ্জয়ে কলে,—'অনাৱশ্যক দেখিয়েই বোধ কৰোঁ তেখেতে জনোৱা নাই। কিন্তু তোমাৰ নিচিনা এডভেঞ্চাৰাছ পুছিং ডেকাৰ পক্ষে সেই সৰু চহৰত সুন্দৰীক বাছি উলিৱা একো অসম্ভৱ নহয়।"

"ঠিক কৈছ সঞ্জয়। অকল নগাৱঁৰ কিয়? প্ৰয়োজন হলে জগৎ-সংসাৰ, বিশ্ব-ব্ৰহ্মাণ্ড, গ্ৰহ-উপগ্ৰহ তন্নতন্নকৈ ফঁহিয়াই ফঁহিয়াই মোৰ সেই সুন্দৰীক বিচাৰি উলিয়াম।"

"বিয়াৰ বুৰঞ্জীত চিৰকাল তোমাৰ কীৰ্ত্তি অক্ষয়, অব্যয় হ'ক দাদা। বলাঁ কালিলৈকে গতি কৰা হ'ক। বাটত নগাৱঁত এদিন বৈ তোমাৰ তিলোত্তমাৰ সন্ধান কৰিব লাগিব।"

অভিযানৰ আগ ছোৱা

(অৰেঞ্জেটিকাম এড্ ইনফিনিটাম্)

শিয়ালদহ ষ্টেছন। দৈত্যকায় ৰেলে অলেখ যাত্ৰী পেটত সুমাই যাবলৈ ছেঁ ছেঁ কৰিছে। অশ্বিনী আৰু সঞ্জয় উপস্থিত হৈ লৰালৰিকৈ মধ্যম শ্ৰেণীৰ খোটালী বিচাৰিবলৈ ধৰিলে। সোমোৱা যাত্ৰী সকলোৰে মুখত মাথোন সেই একে চিঞৰ,—ইয়াত ঠাই নাই, ইয়াত ঠাই নাই। ঠাই সঁচাকৈয়ে নাই। প্ৰতি কোঠালী যাত্ৰীৰে গিজ খোৱা। কিন্তু উপায় নাই। যাত্ৰীৰ ঠেলা-হেঁচা, কিলাকুটিৰ কিল, গালি,শপনি-দাপনি গাজনিলৈ ভ্ৰুক্ষেপ নকৰি কোনোপধ্যে অশ্বিনী সোমাল। মাল-পত্ৰ সহ সঞ্জয়কো খিৰিকিয়েদি টানি সুমালে।

আঠজন যাত্ৰী যাব পৰা খোটালীত চৈধ্যজন লোক।

তাতে এখন বেঞ্চি টোপনিৰ ভাও জুৰি অকলৈ দখল কৰিছে এজন পেটুৱা পুৰুষে। সহযাত্ৰীৰ কাতৰ মিনতিলৈ তেওঁৰ কাণসাৰ নাই। মাজে-সময়ে চকু পিৰকিয়াই মাথোন ইকাতি-সিকাতি কৰে। বেপৰোৱা ভাব।

সঞ্জয়ে প্ৰথমে তেওঁক ইংৰাজীৰে মিনতি জনালে অকণি ঠাই দিবৰ নিমিত্তে বহিবলৈ। পিছত বঙলাৰে বকিলে—শেহত হিন্দীৰে ধমক দিলে। কিন্তু পুৰুষ-প্ৰবৰ নিমাত-নিতাল। হিমালয়ৰ দৰেই তেওঁ স্থবিৰ, অচল-অটল.

অশ্বিনীয়ে সঞ্জয়ক ফুচফুচাই কিবা কলে। তাৰ পিছত হঠাৎ দাঁত নিকটাই চকু চেলাই বাওঁ হাতৰ আঙুলিৰে বলিয়াৰ দৰে বিবিধ বিকট ভঙ্গিমা কৰি সোঁ হাতেৰে পেটাল পুৰুষৰ দীঘল ডাঢ়ি খামোচি তেওঁৰ বৰপেটটোত অশ্বিনীয়ে কামোৰ বহালে।

"উল্লুক, জানোৱাৰ" বুলি জাপ মাৰি থিয় দি অশ্বিনীৰ ফাললৈ বাবুৱে টেকুৱাকৈ চাবলৈ ধৰিলে।

"ঠিক কথা বাবু বেবুন, মই জানোৱাৰ, কুকুৰ, মেকুৰী, বাঘ, ভালুক, সিংহ, ঘোং, ভূত, প্ৰেত, যক্ষ, ৰক্ষ, ব্ৰহ্মদৈত্য, হাওঁ মাওঁ খাওঁ নৰ-মনিষৰ গন্ধ পাওঁ" বুলি বঙলা বুলিৰে নাক-মুখৰ বিবিধ কিকাৰ ঘটাই মুখ মেলি অশ্বিনীয়ে দুয়ো হাতেৰে সেই বঙালী বাবুৰ ডিঙিত টেপা মাৰিলে।

"মা গো" বুলি বাবুৱে ঘেঁহালে। তেওঁৰ চকু থিৰ পৰিল। গাৰ কঁপনি উঠিল।

সঞ্জয়ৰ কাবৌ-কোকালিত অশ্বিনীয়ে মুখৰ হাঁহি মুখতে মাৰ নিয়াই বাবুৰ ডিঙিৰ পৰা হাত এৰি মুখৰ পৰা ফেন কুটি উলিয়াই বীৰিয়াবলৈ ধৰিলে আৰু পিছত এজন যাত্ৰীৰ চাদৰেৰে সেইবোৰ মচি বাবুৱে পাৰি থোৱা শয্যাত দীঘল দি হেম্বে হেম্বে কৰিবলৈ ধৰিলে। মূৰ-শিতানত সঞ্জয়ো বহিল।

সহযাত্ৰী কেজনৰ কৌতূহল নিবাৰণৰ কাৰণে সঞ্জয়ে জনালে, "এখেত গল বছৰ বোটানিৰ এম এছ চি পৰীক্ষাত প্ৰথম বিভাগত প্ৰথম হোৱা মিঃ টি এন মাইতি। বিছাৰ্চ্চ স্কলাৰ। সম্প্ৰতি অসমৰ হাবি-বননিত পাহাৰ-পৰ্ব্বতত অৰ্কিড সংগ্ৰহৰ কাৰণে আহিছে। সময়ে সময়ে মানুহৰ ভিৰত এখেতৰ "ফিট" হয়; সেয়েই কেতিয়াবা ভায়লেণ্ট নেচাৰৰ হৈ পৰে, প্ৰবল ৰূপে দেখা দিয়ে।"

ওচৰৰ বেঞ্চিত বহি থকা এজনে কলে,—"আৰু নকব। আহা-হা। আজিকালি বঙালী বিদ্বান লোকৰ, আমাৰ বঙ্গ-গৌৰৱ বৈজ্ঞানিকসকলৰ মাজত হিষ্টীৰিয়াৰ প্ৰবলতা দেখা যায়। চাৰ জগদীশ, ডক্টৰ পি, চি, ৰায় প্ৰভৃতিৰো এই ৰোগ হৈছিল। পিছে আমাৰ ফাৰ্ম্মেচিৰ স্পেচিফিকে তেওঁলোকৰ সেই দুৰাৰোগ্য ৰোগ সম্পূৰ্ণ ৰূপে নিৰাময় কৰিলে। অসংখ্য প্ৰশংসা-পত্ৰ আছে। চিকিৎসা জগতত আমাৰ ঔষধে যুগান্তৰ আনিছে। আপোনাৰ—আপোনাৰ বোলোঁ কিয় আমাৰ—এই বিশিষ্ট বিদ্বান বন্ধুকো—"

"কে কাৰ বন্ধু ৰে বেটা জুৱাচোৰ ক্যানভাচাৰ?—" বুলি অশ্বিনীয়ে হাতৰ মুঠি তেওঁৰ নাকলৈ মাৰি পঠালে। নাকৰ জিন্‌জিননিত তেওঁ নিতাল মাৰিলে।

এজনে কলে—হিষ্টীৰিয়াত ৰেষ্ট, কম্‌প্লিট ৰেষ্ট লাগে।" অশ্বিনীয়ে মুখ বিদৰাই "ৰেষ্ট নেহি মাংতা ৰাস্কেল—হাম পাগলা হ্যায়" বুলি ভৰিৰে তেওঁৰ পেটত গোৰ শোধালে। "আহা-হা কেলেই তেনে হব" "বুলি তেওঁ পেটত হাত দি বহিল।

অৰ্থশূন্য দৃষ্টিৰে অশ্বিনীয়ে এবাৰ কেও ফালে চালে, এবাৰ দীঘলকৈ মেলা জিভাৰে লীলিয়ালে। তাৰ পিছত সেই পেটুৱা বাবুৰ খাঙত ভৰি থকা সুমথিৰাবোৰৰ ফালে আঙুলিয়াই চিঞৰিলে,——"অৰেঞ্জেটিকাম্ এড্ ইন্‌ফিনিটাম্।"

সঞ্জয়ে সহযাত্ৰীসকলক বুজালে—এওঁক প্ৰচুৰ পৰিমাণে সুমথিৰাৰ ৰস লাগে।

সকলোৱে "দিয়ক দিয়ক" বুলি কোনোৱে বাকচৰ পৰা গিলাছ উলিয়াবলৈ আৰু কোনোৱে সুমথিৰা টেঙাৰ বাকলি গুচাবলৈ ধৰিলে। গিলাছে গিলাছে মধুৰ ৰস অশ্বিনীৰ পেটত সোমাল। শেহত এমোকোৰা ৰস ফুৰুহনি মাৰি পেটাল পুৰুষৰ মুখত বতিয়াই সঞ্জয়ক সাৱটি ধৰি অশ্বিনীয়ে চিঞৰি চিঞৰি গাবলৈ ধৰিলে, "ইউ আৰ এ জলি গুড ফেল'।"

পেটুরা বাবুর ডাড়ি-গোঁফত সুমথিবাৰ বসৰ কণিকাই আৰু অখিনীৰ মুখৰ ফেনে তাণেইণেই নাচিবলৈ ধৰিলে।

সঞ্জয়ে সকলোকে মিনতিবে কলে,—"এণেতৰ 'ফিট' যে আজি সোনকালে আৰোগ্য হব তাৰ আশা নিচেই কম। চেবিবেল ফিচেবত যাত্রীৰ গণ্ডগোলত ছোৱা ফালাবি বেছিকৈ পৰাত বিশেষ কপে ভায়লেণ্ট হৈ পবিছে। কাক কোন সময়ত আক্রমণ কবে—কাৰ কি অনিষ্ট ঘটায় তাৰ ঠিক নাই। দীঘলীয়া পথৰ যাত্রীসকলে আন ঠাইত আশ্রয় লোৱাই ভাল।"

সকলোবে সঞ্জয়ক অনুমোদন কবিলে। পেটাল বাবুবে মাথোন কলে—"ইমানবোৰ বয়-বন্ধু লৈ অঁতৰ ছোৱা টান। তাতে আজি ইণ্টাৰৰ কোঠালীবোৰ ভৰা।"

"আলবাৎ যানে হণা। ভাবি ভদ্দৰ আদমি। থার্ড ক্লাছ বাটলাও। তামাম জুনিয়াকা চীজ কেইচো লিয়া?" বুলি দাঁত কবচি অখিনীয়ে পেটুরা বাবুৰ ছাতি আৰু লাগুট চলি থকা বেলৰ পবা বাহিবলৈ দলিয়ালে।

পেটাল বাবুবে হাতযোৰ কবিলে। সঞ্জয়ে সান্ত্বনা দিলে। ভয়ত যাত্রীসকল আঁতবিল।

হাঁহি হাঁহি অখিনীয়ে কলে,—"বেচেৰাৰ কোমল পেটত মোৰ দাঁত ফুটি গল নহয় নে সঞ্জয়? আজিকালি বোমাফৰ-উপস্থিত বুদ্ধিৰ দিন। নাও, উই আৰ দি মনার্চ্চ অৰ অল উই ছার্ভে।"

ৰ'ষ্ট, মামলেট বাঢ়িছে ভাল

(বচুলৰ ফলীয়া বুলি ভাবিছিল)

পিছ দিনা সাজ লগাৰ সময়ত ছুয়ো নগাওঁ ষ্টেছনত নামিল। মুবত গান্ধী টুপি, গাত কোটাৰ ওপবত বেষ্ট কোট, কঁকালত পায়জামা, হাতত হেণ্ডব্যাগ, ভবিত নিউ-কাট চেলিম খুঁ;—পেছোৱাবী সাজ।

সঞ্জয়ে শুধিলে—"এই অপাৰ জন-সমুদ্রৰ মাজত তোমাৰ নগণ্যা মোহিনীক উলিহা হয় কেনেকৈ?"

"কলম্বচে আমেবিকা, হেলীয়ে ধুমকেতু আবিষ্কাৰ কবি অমৰ কীর্ত্তি থৈ গৈছে। অখিনীৰ বুদ্ধিত ভবসা বাখ।"

বাটত এটা লৰাক লগ পাই অখিনীয়ে কলে, "মোক হাটৰ দৰাৰ লগত ইয়াৰ ছোৱালী বিয়া দিবলৈ বন্দোবস্ত কৰা ভদ্রলোকৰ ঘৰ চিনা নে নহয়না?"

লৰাটিয়ে অলপ পৰ অখিনী আৰু সঞ্জয়ৰ মুখলৈ চাই কলে,—"এই ফালে গৈ থাওক। মোৱাৰ বাও হাতে ইটাৰ দেৱালে বেবি থকা ধুনীয়া ঘবটিত সোমাব।"

অলপ দূব গৈ এঘবলৈ আঙুলিয়াই অখিনীয়ে সঞ্জয়ক কলে—"ইটাৰ দেৱাল, ঠিক এই ঘবেই ঘৰ চোতালত অলেখ টিংপাত, বভাৰ নিমিত্তে পুতি থোৱা মুণ্ডীই চুচি-চুককি অঁতাই-পিটাই থোৱা ঘবে-বাবীয়ে এইটো স্পষ্টকৈ প্রমাণ কবিছে সোনকালে ইয়াত এখনি বিয়া হব বুলি। ডাঙৰ মানুহবেই ঘৰ। শুন, ভিতৰত কাৰ সুবীয়া মাতে কল্পলোকৰ সৃষ্টি কবি সঙ্গীত-সুধা বিতবিছে।"

"আজি আহাঁ হে, আজি আহাঁ হে অতিথি, আহাঁ হে অতিথি লই তব কণ-বন-গান—"

"তোমাৰ ককণ আহ্বান উপেক্ষা কবিবৰ অখিনীৰ সাধ্য নাই সুন্দবী। শুন সঞ্জয়, ইচ্ছা হৈছে যেন সুন্দবীৰ আগত সৌশবীবে উপস্থিত হৈ আঠু কাঢ়ি কওঁ—মই আহিছোঁ, মই আহিছোঁ; প্রেম-প্রীতিৰ অফুবন্ত ভাণ্ডাৰ মৌবনৰ মোহন মদিবা লৈ মই আহিছোঁ।"

ছুয়ো ডুয়িং কমত সোমাল। সঞ্জয়ে গল ছেঁকাবিলে। এটি সক লৰা ওলাই আহি তেওঁলোকৰ মুখলৈ চালে। "নিশ্চয় সুন্দবীৰ সহোদৰ। ধুনীয়া লৰাটি। তেওঁ চাগে আৰু—। য'ক। মইনা, ইয়াত কাৰ বিয়া হব?"

"কিয়, আমাৰ বাইটীৰ নহয়? আমি ধুনীয়া ধুনীয়া সাজ-পাৰ পিন্ধিম—পুতলা লম। হিঁ হিঁ মোৰহটীয়া দবাক জব্দ কবিম নহয়। যিহে পাওঁ ভিতৰ থৈছোঁ। পাপী ওৱাহাটীলৈ থৈছে বাইটীৰ বিয়ালৈ কিবাকিবি কিনিবলৈ। মোলৈকো এখন মটৰ গাবী আনিব—উঠ ফুবিম।"

"সন্দেহ নাই। মইনাকণ, ভিতৰত কোৱাগৈ দবা-ঘবৰ মানুহ আছিছে বুলি।"

"বাইটীৰ দবা আছিছে—বাইটীৰ দবা আছিছে" বুলি চিঞবি পোনছাটেই লৰাটি ভিতৰ সোমাল। লগে লগে ভিতৰত সঙ্গীতৰ লয় হল। পিছত কথা-বার্ত্তাৰ মৃদু গুঞ্জন, ব্যগ্রতাৰ অস্পষ্ট লক্ষণ।

অলপ পিছতে হাঁহি হাঁহি ৰূপৰ বটাত নানাবিধ মচলাবে খুবীয়া তামোল লৈ লৰাটি ওলাইছিল। অখিনীৰ মুখলৈ চাই সি কলে, "মাজানে কৈছে চাহ-জলপান খাই অলপ জিবাবলৈ। বাবাজান অলপ পিছতে ওৱাহাটীৰ পবা পাবহি। বাইটীয়ে চাহ কবিবলৈ গৈ আপলত সোমাই হাঁহি আছে। হিঁহি মই জোকাইছোঁ নহয়! মোক আজি বৰ মবম কবিছে। চুমা খাই মনে মনে থাকিবলৈ কৈছে। আগেয়ে হলে মোক সদায় মাবে। মই আকৌ জোকাউঁতে দেই যাওঁ।"

সঞ্জয় মুখ গম্ভীৰ হল। কলে, "দাদা, লক্ষণ বব ভাল দেখা নাই। মাজান, বাবাজান! ই নিশ্চয় কোনোবা মুছলমানৰ ঘৰ।"

"সঞ্জয়, তোৰ সকলোতে সন্দেহ। শিক্ষিত হিন্দু সমাজত, এড্ভান্সড্ আইডিয়াৰ হিন্দুৰ ঘবত যেইবোৰ আজিকালি প্রচলিত হৈ পবিছে। ভায়েকক দেখিছেই মই ডাঠি কৈছোঁ তেওঁৰ বেণ্ড হেজলী মুখ 'এবিয়ান কাটৰ' হবই। নহলে বাজি বাৰ।"

সঞ্জয়ে হাঁহি হাঁহি কলে,—"ভায়েক মেকুবী দেখিয়েই ইমান!"

চাহ খাবলৈ ছুয়ো ভিতৰ সোমাল। টী'ষ্টেলে চাই সঞ্জয় উচাপ খাই উঠিল। ফুচ্-চুচাই কলে, "মজিয়াত বাদনা, ডাঁৰত লুঙি, ভিতৰত কুকুবাৰ সেঙ্কা ককককনি, কাঁহত বামশাৰৰ ৰষ্টি, কণীৰ মামলেট! বামুণৰ লৰা মই। জাত-পাত খেদিব নোৱাৰোঁ। কিণনত পেলাম্বাহি। তেতিয়াই নকৈছিলোঁ।"

"তাত মোবো সন্দেহ নাই সঞ্জয়। কিন্তু পেটৰ খছুবতি নমবাও উচিত নহব। বামুণৰ লৰা তই—কেক, বিস্কট, পিঠা-পনাকে পেটত সুমা। মই ৰষ্টি, মামলেটৰ প্রতি সুবাহাৰ কবোঁ। বাঢ়িছে ভাল। তাৰ পিছত পলাম্বাহ্নি। নহলে আমাৰ পিতিহ যে ঐ নগণবিৰ তাবেই বা কি তাইন আছে। বাটত লগণোৱা মবকুচীয়া ৰংবাটোৰে আমাৰ সাজ-পাৰ দেখি নিশ্চয় আমাক বচুলৰ ফলীয়া বুলি ভাবিছিল।

খাই-বৈ উঠি ৰংবাটৰ গালে-মুখে হাত ফুবাই অলপ ফুবি আহোঁগৈ বুলি ছুয়ো বাহিৰ ওলাল।

বাতিটো ডাক-বংলাতে ছুয়ো কটালে।

কুঁৱৰীৰ কাবেং

(শুক্লপক্ষত লবে বাম, লক্ষ্মা জিনি আহে বাম)

বাতিপুৱা সঞ্জয়ে কলে,—"বলা দাদা, ঘবৰ লৰা ঘবলৈ যাওঁগৈ। আৰু বা কত কি অনাসৃষ্টি হয়।"

"দেখ, পুৱাতে কি অমঙ্গলীয়া কথাপন কব অ'। কিন্তু বি-এ পবীক্ষাত বাবে বাবে বিফল হৈছোঁ বুলি তই নাভাবিবি সঞ্জয় ইয়াতো অকৃতকার্য্য হৈ ঘবলৈ উভতিম। ওলা। "এই বাব নাছোৰবান্দা।"

"বলা বাক; চাবা ভুলতো যেন কালি মোমোৰা ঘবত ফালে ভবি আগ নেবাঢ়ে।"

বাটত অখিনীয়ে সঞ্জয়ক কলে,—"ছোৱালী চাবলৈ আহিছোঁ বুলি স্পষ্টকৈ কোৱাই ভাল; কি বোল সেৱা কবিবলৈ কিন্তু মই নিদিম। আপ-টু-ডেট হব নিশ্চয়। ওচবতে বহুবাই মডার্ণ নাচ-গানৰ আলোচনা চলাম, গান গোৱাম, তোকো ওচবতে বহুবাম। আহিবৰ সময়ত এই ইয়াৰিং, ব্রুচ আৰু মীণাৰ কাম কবা—মাঃ ছেঃ—সেইবোৰ হেণ্ডব্যাগতেই বল! বল সঞ্জয় আকৌ ঘুবি ডাক-বঙ্গালৈ।"

"মোৱা দাদা, তুমিয়েই মোৱা। মই বাটৰ কাষৰ এই বেঞ্চিখনতে অলপ দীঘল দিওঁ। বাতিপুৱাবেপবা এই দহোটাটৈল টলৌ টলৌ কবি ফুবোঁতে কঁকালত বিষ উঠিছে।"

এঘণ্টামানৰ পিছত অখিনী সঞ্জয়ৰ ওচবতে উপস্থিত হৈ হাহি হাঁহি কলে,—"শুন সঞ্জয়, ওচবতেই পানী অপচ আমি পানী পানীকৈ বিচাবি হায়বান। ডাক-বঙলাৰ কাষতেই তোৰ ভাবী বৌবেৰব, মোৰ জীৱনতোষিণী সুন্দবীৰ ঘব। তাত বিয়াৰ বিবাট আয়োজন চলিব লাগিছে।"

"দাদা, তোমাৰ চকুত আজি গোটেই বিশ্বব্ৰহ্মাণ্ডই তোমাৰ কুঁৱৰীৰ কাৰেং হৈ পৰিছে।"

"বিশ্বাস কৰ। বাটত যাওঁতে চাহৰ দোকান এখনত সোমালোঁ। লিখা-পঢ়া জনা ডেকা দোকানী। তাক দুনিয়াৰ গেজেট বুলিলেও বঢ়াই কোৱা নহব। তাৰ পৰা যোৰহটীয়া এই কোঁৱৰৰ আৰু নগঞা কুঁৱৰীৰ সকলো আঁতি গুৰি পালোঁ। বপুৰিয়ে আঁতৰৰ পৰা কুঁৱৰীৰ কাৰেঙো দেখাই দিছে। উঠ ভাই উঠ। শুনিছ তোৰ নবৌৱেৰ বোলে নগাৱঁৰ 'বিউটি' অ'। হবই—।"

সঞ্জয়ে গা এঙামুৰি দি উঠোঁ নুঠোঁকৈ উঠি কলে—"শুনা দাদা—মই লক্ষণ বৰ ভাল দেখা নাই। ৰাতিপুৱাৰে পৰা বাওঁ চকুটো ঘটঘটকৈ লৰিব লাগিছে।"

বামুণবোৰৰ দেখিছোঁ মৰিলেও অন্ধ বিশ্বাস নুগুচে। কত কেতিয়া জেঠিয়ে টিক্‌টিকায়, নাকে হাঁচিয়ায়, কাউৰীয়ে ৰমলিয়ায়, চকুৱে নাচে, বাহু লৰে তালৈ হে মন। কি কলি? বাওঁ চকু? ভয় নাই—শুক্ল পক্ষত লৰে ৰাম, লঙ্কা জিনি আহে ৰাম। আহ।"

পৰহি মাইতি, কালি মুছলমান, আজি এই

(ছোৱালী মনত নালাগিল)

দুয়ো গৈ বিজয় বৰুৱাৰ ঘৰত সোমাল। বৰুৱাই আথেবেথে দুয়োকো বহিবলৈ দিলে। সঞ্জয়ে অশ্বিনীৰ পৰিচয় দি পাকে-প্ৰকাৰে অহাৰ উদ্দেশ্যও বুজালে।

আইকণৰ যোৰহটীয়া দৰা আহিছে এই শুভ বাতৰি ভিতৰত আৰু ওচৰ-চুবুৰীয়াৰ মাজত খন্তেকতে জনজনাই গল।

ককাল লগা গাৰেই বুঢ়া শইকীয়াই লাখুটি কোবাই, জৰৰ গাৰেই উকীল হলী হাজৰিকাই তিনটামান কেঁকনি মাৰি, খোনা খোৰা বৰুৱাই লেঙুচিয়াই লেঙুচিয়াই দৰা চাবলৈ বৰুৱাৰ ঘৰত উপস্থিত হলহি। মোলানী বায়ে এমোকোৰা হাঁহিৰে দুৱাৰ মুখৰ পৰা ওৰণি কাতি কৰি ডিঙি বেকাকৈ মাজে-সময়ে অশ্বিনীক চাই ভিতৰত দৰাৰ ৰূপ-গুণ বৰ্ণাবলৈ ধৰিলে। ভিতৰৰ কথা ভিতৰতে থোৱাই ভাল।

বিজয় বৰুৱাই তেওঁৰ পদূলিত লৰাৰে সৈতে মৌলবী মহম্মদ আবুক ৰৈ থকা দেখি কলে,—"খাঁ ছাহেব, বাটত ৰৈ কি চাইছে? আহক, আহক। আমাৰ যোৰহাটৰ বোপা আহিছে।"

"গৈছোঁ। কালি ৰাতি আমাৰো জোৱাঁই বাপা এজন লগৰীয়াৰ সৈতে আমাৰ ঘৰত সোমাই চাহ-জলপান খাই আৰু কলৈ গল বিচাৰি উলিয়াব পৰা নাই।" লৰাৰে সৈতে খাঁ চাহেব বৰুৱাৰ ঘৰত সোমাল।

সঞ্জয় আৰু অশ্বিনী দুয়ো দুয়োৰো চকুলৈ চালে। আতঙ্কত দুয়োৰো বুকু কঁপিল। মুখে বিবিধ বৰণ সলালে।

"বাবাজান, এওঁলোকেই কালি আমাৰ ঘৰত—"

খাঁ চাহেবে বিজয় বৰুৱাৰ মুখলৈ চালে। বিস্ময়ত দুয়োৰো চকু থিৰ হল।

সেপ ঢুকি সঞ্জয়ে কলে,—"ভুলত—"

খাঁ চাহেব গৰজি উঠিল। কলে,—"বুজিছোঁ ভুলতে মুছলমানৰ ঘৰত ৰষ্ট, মামলেট, কোপ্তা, কালিয়াও এপেটকৈ সোমাল। পিছে বৰুৱা—আপোনাৰ জোঁৱাই সৌ নিবুকা চামোনজনেই নে? আজিকালি মানুহৰ কলিকতীয়া ফাঁকি ধৰা টান।"

মুৰ খজুৱাই বৰুৱাই কলে,—"কৈছে তেৱেঁই বুলি।"

"আছলাম আলামকুম খাঁ চাহেব, গুড্ মৰ্ণিং বৰুৱা, হৈছে কি?" বুলি বঙালী বিশ্বেশ্বৰ বাবু সোমাই আহিল।

"আহক, আহক, দেশৰ পৰা আহিল কেতিয়া? আমাৰ মিষ্টাৰ বৰুৱাৰ জোঁৱাই আহিছে।

অশ্বিনী আৰু সঞ্জয়ক দেখি বাটৰুৱাই আগত সাপ দেখাৰ দৰে বিচূৰ্ত্তি হৈ বিশ্বেশ্বৰ বাবু জাপমাৰি পিছলৈ দু হাত হুহকিল। অশ্বিনী আৰু সঞ্জয়ে উচাপ খাই উঠিল। দুয়োৰো উশাহ ঘন হল। মুখ শুকাল।

"এই গোঁফালজনেই আপোনাৰ জোঁৱাই বিজয় বাবু? পৰহি ৰেলত দেখোন এওঁ তমলুকৰ মিঃ মাইতি ৰিছাৰ্চ স্কলাৰ বুলি পৰিচয় দিছিল। আস্ত পাগল—হিষ্টীৰিয়া ৰোগী। পাগল হৈ এওঁ মোৰ পেটত কামুৰি কৰা জখম চ'ক।" বিশ্বেশ্বৰ বাবুৱে কামিজ ডাঙিলে।

বিজয় বৰুৱাই তললৈ মুৰ কৰিলে। খাঁ চাহাবে

চোলাৰ আস্তিন কোঁচাই কলে,—"পৰহি মাইতি, কালি মুছলমান, আজি এই—ইহঁত নিশ্চয় গুণ্ডা, স্কাউণ্ড্ৰেল।"

"মই আহিয়েই ইহঁতৰ ধৰণ-কাৰণ দেখি বুজিছিলো। ইহঁত অকল গুণ্ডাই নহয়, চুলুং ছলাহীয়েই নহয়, উইকেডো" বুলি শইকীয়াই লাখুটি জোকাৰিলে।

"চিটিং এণ্ড ফল্‌ছ পাৰ্ছনেছন! মস্ত পুলিচ কেছ। বগা ঘৰত বাছাধনইতে দুসাজ খাওকগৈ" বুলি উকীল হাজৰিকাই গৰজিলে।

"পু-পু-পু-পুলিচ পি-পি-পিছলৈ থ-থ-থ'ক। গু-গু-গুৰি য়া-য়া ই, গু-গু গু ৰি য়া য়া ই ই-ই-ই হঁতৰ এ-এ-এ তি তি য়া ই দা দা দাঁত কে কে কে কে ও পাৰি ছি ছি ছি ডিব লা লা লা লাগে হে" বুলি খোনা বৰুৱাই খোৰা ভৰিটোকে দাঙিলে।

সঞ্জয়ে কিবা কবলৈ মুখ মেলিছিল।

"আকৌ মুখ মেলিছ পাজি জুৱাচোৰ? মোলানী চাইছ কি! আন তোৰ বাঢ়নী আন, ভালকৈ জাৰি ইহঁতৰ গাৰ ভূত খেদোঁ" বুলি মোলানীলৈ বাট নাচাই বিজয় বৰুৱাৰ ভায়েক নিজেই ভিতৰ সোমাল।

গতি বিষম দেখি দুয়ো মানে মানে বাহিৰ ওলাল। বাটত সঞ্জয়ে মুখ আমোলাই কলে,—"অৰ্কিড বিচাৰি বিচাৰি নগাৱঁলৈ অহাটোৱেই আমাৰ ভুল।"

অশ্বিনীয়ে হুমুনিয়াহ কাঢ়ি কলে,—"বুজিছ সঞ্জয়, মই আৰু ঘৰলৈ নাযাওঁ। তই মাথোন দাদাক কবিগৈ ছোৱালী মোৰ মনত নালাগিল বুলি।"

কবিতা

—শ্ৰীযুত বীৰেশ্বৰ শৰ্ম্মা বি-এ

"Poetry is the spontaneous outburst of the human heart."

ধৰিত্ৰীৰ গভীৰতম প্ৰদেশৰ পৰা শৈলৰাশি ভেদ কৰি উত্থিত প্ৰস্ৰৱণৰ নিৰ্ম্মল জলধাৰা যেতিয়া শৈলখণ্ডৰ ঘাত-প্ৰতিঘাতৰ ওপৰেদি কুলু কুলু সুৰে অনন্ত মহাসমুদ্ৰ উদ্দেশি মনোহৰ বেগে বৈ যায় তেতিয়া আমি সেই কুলু কুলু গান শুনি অপূৰ্ব্ব আনন্দ উপভোগ কৰোঁ। এই স্বভাৱসলিলা নিৰ্ঝৰৰ স্বভাৱ গম্ভীৰ অনৈক্যৰ মাজত ঐক্যপূৰ্ণ ললিত ছন্দময়ী কুলু কুলু ধ্বনিয়েই কবিতা। কিন্তু এই কবিতাৰ ভাব দাৰ্শনিকৰ গভীৰ জ্ঞানৰ অগোচৰ, ইয়াৰ ভাষা ভাষাবিদৰ অবিদিত। ই ছন্দময়ী স্বভাৱ কবিতা; ইয়াৰ পৰাই মানৱ কবিতাৰ উৎপত্তি।

মানৱ ক্ষুদ্ৰ পৃথিবী—ভাবযুক্ত আৰু ভাষাযুক্ত। এই মানৱৰ হৃদয় ক্ষেত্ৰৰ অন্তৰতম প্ৰদেশৰ পৰা কেতিয়াবা কোন এটি নিৰ্ম্মল মহান ভাবৰ উৎপত্তি হয়; ই শোক, দুখ, হিংসা, খিয়াল, ঘৃণা, ভয়, আনন্দ, আকাঙ্খা আদি শৈলৰাশিৰ ঘাত-প্ৰতিঘাতত উচ্চ নিম্ন নানা বিধ ললিত ধ্বনিৰ মধুৰ সঙ্গীতৰ লগত ভাষাৰ মাজেদি অনন্তলৈ উঠি যায়। এয়েই মানৱ কবিতা।

ভাব, ভাষা, ছন্দ আৰু ৰস এই চাৰিটাৰ মধুৰ সংমিশ্ৰণেই কবিতা। মানুহৰ বোধ শক্তি বা অনুভৱ শক্তিৰ পৰা ভাবৰ (Feeling) জন্ম। বলিয়াৰ কোন বোধশক্তি বা অনুভৱ শক্তি নাই—তাৰ কোনো ভাবো নাই। পুত্ৰ জন্মিলে অপুত্ৰকৰ হৃদয়ত যেতিয়া সাতখন আঠখন আনন্দৰ ঢৌ উঠে, পতিৰ মৃত্যু-সংবাদত পত্নীৰ হৃদয় যেতিয়া খণ্ড খণ্ড হয়, তেতিয়া এই আনন্দৰ আৰু শোকৰ অনুভূতিৰ পৰা কোনো এটি ভাবৰ জন্ম হয়। এই ভাব ছন্দময়ী, ৰসময়ী মধুৰ ভাষাৰে প্ৰকাশ হৈ কবিতা নাম পায়। কবিতা সাহিত্যৰ প্ৰধান অঙ্গ।

পদ্য আৰু কবিতা দুটা বেলেগ বস্তু। কবিতাত ভাব,

ভাষা, ছন্দ আৰু ৰস থাকিবই লাগিব ; কিন্তু পদ্যত বিশেষ কোনো হৃদয়জাত ভাব নাথাকে। পদ্য বাক্য-যোযনা মাত্র। যেনে—

বছৰত বাৰমাহ শুনা লৰাইত
নতুন বছৰ হয় বহাগ মাহত।

বা

যেতিয়া কৰিব লগা কাম পোৱা তুমি
কৰা তাক হৰিষ মনেৰে,
পৰ্ব্বত টিঙত যদি উঠিবগৈ খোজা
ফুৰা আগে তলত ৰঙ্গেৰে।

ই পদ্য। ইয়াত হৃদয় নাই, হৃদয়জাত কোনো ভাব নাই, ই আমাৰ হৃদয় আকৰ্ষণ নকৰে। আকৌ—

বগাকৈ বগলী উৰে কেনে কৰি
পাখিতে পাখি লগাই ;
কাৰে নো উৰিব ধনবৰ দুখীয়া
ৰতনী লগতে নাই।

ই বিৰহী পতিৰ শূন্য হৃদয়ৰ হুমুনিয়াহপূৰ্ণ করুণ বিননি। ই তৎক্ষণাৎ আমাৰ হৃদয়ৰ এডাল কোমল তন্ত্রীত প্রতিধ্বনিত হয়। ভাব, ভাষা, ছন্দ আৰু ৰস ইয়াত সম্পূৰ্ণ বিৰাজমান। এয়েই কবিতা। ছন্দ হ্রস্ব দীৰ্ঘ স্বৰৰ মধুৰ সমাবেশ। ভাব অনুযায়ী ভাষাৰ সৃষ্টি। যেতিয়া ভাবৰ সোঁত ভাষাৰ ওপৰেদি বাগৰি যায় তেতিয়া হ্রস্ব দীৰ্ঘ স্বৰৰ নানা বিধ উত্থান-পতনৰ মধুৰ সঙ্গীতৰ সৃষ্টি হয়।—এই সঙ্গীতেই ছন্দ। ভাব কবিতাৰ প্রাণ, ভাষা শৰীৰ, ছন্দ আভৰণ আৰু ৰস কবিতাৰ সৌন্দৰ্য্য আৰু মাধুৰ্য্য। "বাক্যং ৰসাত্মকাব্যং।" ভাবৰ পৰা ৰসৰ উৎপত্তি হয় ; ই স্বাভাবিক, কবিৰ যত্নত কবিতাত সন্নিবেশিত নহয়। মানৱ হৃদয় নানান ভাবৰ আকৰ। কেতিয়াবা কোনো এটা ভাবে হৃদয়ত প্রাধান্য লাভ কৰে—হৃদয় সেই ভাবেৰে বিয়পি পৰে ; আৰু প্রস্রবনৰ স্ফীত জলধাৰাৰ দৰে বাহিৰলৈ ওলাই ভাষাৰ ওপৰেদি বৈ যায়। সোণৰ খনিৰ পৰা ওলোৱা নিজৰাৰ পানীত সোণৰ গুণ থাকে ; গন্ধকৰ নিজৰাৰ পৰা ওলোৱা পানী গন্ধকময়। সেই দৰে যি ভাবৰ পৰা কবিতাৰ উৎপত্তি সেই ভাবৰ ৰস গোটেই কবিতাত প্রধান ভাবে বিয়পি থাকে, আৰু হৃদয় অন্য ভাবৰো সমান ক্ষেত্র হোৱা কাৰণে আন ভাবৰ ৰসো তাত থাকিব পাৰে। হৃদয় ভাবগ্রাহী কোমল ক্ষেত্র। পিঠাগুৰিৰ লাড়ু এটা গুড়ৰ পানীত পেলালে সি গোটেই গুড়ময় হয়, আকৌ তাক পানীত পেলালে সেই পানীত গুড়ৰ সোৱাদ পোৱা যায়। তেনেকৈয়ে বিষাদত ডুব যোৱা হৃদয় যদি ভাষাত প্রকাশ হয় তাত বিষাদৰ করুণ সুৰ বাজি থাকে, বেলেগ বেলেগ ভাবত হৃদয় বেলেগ বেলেগ ৰসেৰে পূৰ্ণ হয় আৰু সেই ৰস আৰু ভাব একেলগে বৈ আহে। ৰস ভাবৰেই দ্রাবিত অৱস্থা। হৃদয়ত যেতিয়া কোনো এটা ভাবে প্রাধান্য লাভ কৰি স্ফীত আৰু বিগলিত অৱস্থা প্রাপ্ত হয় তেতিয়াই ৰসৰ উৎপত্তি হয়। এই ৰসৰ মাদকতা ৰসনাদি সকলো অঙ্গ-প্রত্যঙ্গৰে প্রকাশ পায়। ৰসনাৰে প্রকাশিত ৰসৰ ঠাই সাহিত্যত, আৰু অঙ্গ-প্রত্যঙ্গেৰে প্রকাশিত ৰসৰ ঠাই চিত্রত।

দুৰ্ব্বাসা ঋষিৰ কণ্ব মুনিৰ আশ্রমলৈ আগমন। কণ্ব আশ্রমত নাই ; অতিথি অভ্যৰ্থনাৰ ভাৰ শকুন্তলাৰ ওপৰত। শকুন্তলা দুষ্যন্তৰ চিন্তাত মগ্না ; দুৰ্ব্বাসা অহা কবই নোৱাৰে। অভ্যৰ্থনা নকৰা দেখি দুৰ্ব্বাসাৰ খং উঠিল, হৃদয়ত খঙৰ অগ্নিস্ফুলিঙ্গ ৰাশিয়ে দপদপাবলৈ ধৰিলে, সেই ক্রোধ ভাব অগ্নিময় ভাষাৰে প্রকাশ হল—

আঃ অতিথি পৰিভাবিনি—
বিচিন্তয়ন্তী সমনস্য মানসা
তপোধনং ন বেত্থসি মামুপস্থিতম্।
স্মৰয়্যতি ত্বাং ন স বোধিতোহপিসন্
কথাং প্রমত্তঃ প্রথমং কৃতামিব॥

দুৰ্ব্বাসাৰ হৃদয়ৰ অগ্নিস্ফুলিঙ্গ ৰাশি প্রত্যেক শব্দতে চিটিকি পৰিছে ; এয়ে ৰৌদ্ৰৰস। চিত্রত এই ৰস প্রকাশ হোৱা সকলোৱে দেখিছে।

আকৌ :—

কল্যাণ বুদ্ধেৰথবা তবায়ং ন কামচাৰো ময়ি শঙ্কনীয়ঃ।
মমৈব জন্মান্তৰ পাতকানাং বিপাকবিস্ফূৰ্জথুৰ প্রসহ্যঃ॥

ই পতি নিৰ্ব্বাসিতা সীতাৰ ভগ্ন হিয়াৰ করুণ হুমুনিয়াহ।

পতিক সুদুষি সতীয়ে নিজৰ কপালক দুষি দীৰ্ঘ নিশ্বাস কাঢ়িছে। সীতাৰ শোকত—

নৃতং ময়ূৰাঃ কুসুমানি বৃক্ষাঃ দৰ্ভানুপাত্তান্ বিজহুৰ্হৰিণ্য॥
তস্যাঃ প্রপন্নে সমদুঃখভাৱমত্যন্ত মাসিদ্ৰুভিতং বনেহপি।

এই কবিতাৰ মাজেদি বোৱা শোকৰ নিশ্বাসেই করুণ ৰস। শোকে সহজে হৃদয় আকৰ্ষণ কৰে আৰু সেই দেখি সাহিত্যত করুণ ৰসৰ ঠাই ওখ।

Our sincerest laughter
With some pain is frohght
Our sweetest songs are those
That tell of saddest thought.

কবিতাৰ শক্তি অসীম। কবিতাই মানুহৰ হৃদয়-দুৱাৰ মুকলি কৰি দিয়ে আৰু সুপ্ত মনোবৃত্তিবিলাক সজাগ কৰি দি সত্য, শিৱ আৰু সুন্দৰ অন্তৰৰ পথত মনক আগ বঢ়াই লৈ যায়।

শ্যামৰ ৰাজনৈতিক বিপৰ্য্যয়

—শ্রীযুত ধৰ্ম্মেশ্বৰ বৰুৱা

উঠনৰ পিছত পতন, মিলনৰ পিছত বিচ্ছেদ, ই জগতৰ ৰীতি। যি জাতি আজি সভ্যতাৰ ওখ শিখৰত, কালৰ কুটিল গতিত সি এদিন সভ্যতাৰ তল খাপত। যি আজি বাটৰ ভিখাৰী, কাইলৈ সি ধন কুবেৰ। ই এটা জগতৰ নিয়ম। এই নিয়মত কোন জাতিৰ কি আৰু কেনে পৰিবৰ্ত্তণ হৈছে—বুৰঞ্জী মেলি চালেই তাৰ প্রমাণ পোৱা যায়।

এচিয়া মহাদেশত অৱস্থিত শ্যামৰো আজি সেয়ে দশা। কত যুগ-যুগান্তৰ এক স্বেচ্ছাচাৰী ৰজাৰ তলত থাকি, আজি কেই বছৰ মানৰ আগত জগতত মূৰ দাঙ্গি উঠিছে—১৯৩২ চনৰ মাজ ভাগত।

ৰাজপৰিয়ালৰ মুখীয়াল মানুহবিলাকক সশস্ত্রে ৰাজ-প্রাসাদত আৱদ্ধ কৰিলে। তাৰ লগে লগে ডিৰেক্টৰ জেনাৰেল ফ্যায়া অধিকৰণ প্রকাশক (Phya Adhikarana Prakas) আৱদ্ধ কৰিলে। ইফালে ৰজা আৰু ৰাণীক ৰাজধানীলৈ আনিবলৈ পঠাই দিলে।

সেই সময়ত শ্যামত ৰজাই সৰ্ব্বে সৰ্ব্বা আছিল। ৰজাৰ যি ইচ্ছা তাকে কৰিব পাৰে। ৰজাৰ ওপৰত প্রজাৰ একো হাত নাই। কবলৈ গলে, শ্যামৰ ৰজাক স্বেচ্ছাচাৰী ৰজা বুলি কব পাৰি। ৰজাৰ ব্যৱহাৰত প্রজাবিলাক ক্ষুব্ধহৈ উঠি ৰজা আৰু ৰাজ পৰিয়ালক আৱদ্ধ কৰি যাতে ৰজাক প্রজাৰ কিছুমান স্বত্বৰ তলত ৰখা হয় তাৰ কাৰণে বিদ্রোহী হৈ পৰিল। বিদ্রোহীসকলৰ ফালৰ পৰা শাসনৰ এখন আঁচনি তৈয়াৰ কৰিলে। সেই আঁচনি ৰজাৰ আগত দাঙ্গি ধৰি ভোটাধিকাৰৰ (franchise) ক্ষমতা প্রজাৰ হাতত ৰাখিলে।

তাৰ পিছত প্রাদেশিক গৱৰ্ণমেণ্টে এখন ইস্তাহাৰ দিলে যে বৰ্ত্তমান যি শাসন প্রণালী আছে, তাতকৈ ভাল শাসন প্রণালীৰ আঁচনি তৈয়াৰ কৰি প্রজাদলে (Peoples party) ৰাজ্যভাৰ হাতত লৈছে, সেই কাৰণে মহাৰাজ পৰিবাত্রই (Paribatra) মিলিটেৰী আৰু ৰাজকৰ্ম্মচাৰী সকলক অনুৰোধ কৰিছে যেন দেশত শান্তি ৰক্ষা হয়

আৰু যাতে কতো ৰক্ত প্ৰবাহ নবয়। ৰজাই নতুন শাসনৰ আচনি মানি লৈছে। সকলো বিভাগৰ কাম যাতে আগৰ দৰে চলি থাকে তেওঁ তাকে আশা কৰিছে।



শ্যামৰ ৰাজ্যাভিষেক উৎসৱৰ এটি দৃশ্য

ঠিক সেই সময়ত আৰু এখন ইস্তাহাৰ বাহিৰ কৰিলে। ৰজা-ৰাণীক ৰাজ প্ৰাসাদলৈ ঘূৰি আহি নিৰ্দ্দিষ্ট স্বত্বৰ মাজত থাকি ৰাজ্যভাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। তাত এই কথাও জনোৱা হল যে যদি ৰজাই প্ৰজাৰ অনুৰোধ ৰক্ষা নকৰে তেন্তে প্ৰজাদলে ৰাজ-পৰিয়ালৰ যি কোনো এজনক ৰাজসিংহাসনত বহুৱাব।

ফিয়া চেন চংক্ৰামে (Phya Sena Sangkram) বিদ্ৰোহী দলক বাধা দিয়াত আহত হল। তেওঁক ডাক্তৰ থানালৈ নিয়া হল। আৰু এজন পুলিছক গুলি কৰিলে—তেওঁ ৰাজপ্ৰাসাদত পহৰা দি আছিল। তেওঁ বিদ্ৰোহী দলক বাধা দিছিল। তাৰ বাহিৰে নগৰৰ কোনো ঠাইতে, উত্তেজনা দেখা নগৈছিল। পুলিছে সিহঁতৰ কৰ্ত্তব্য কৰি আছিল। আদালত, পোষ্ট অফিচ, ডাক অহা-যোৱা আগৰ দৰেই চলি আছিল। তাত কোনো ব্যাঘাত জন্মা নাছিল। ৰাতিপুৱাতে টেলিফোনৰ তাঁৰ কাটি দিছিল। কিন্তু অলপ সময়ৰ পিছতে ভাল কৰিছিল। টেলিগ্ৰাফ্ তাঁৰো কাটিছিল।

এখন মন্ত্ৰী সভা বহিল। ৰজাই প্ৰজাদলৰ স্বত্ব মানি ললে। ৰাতিলৈ আৰু এখন জাননী দিলে যে যিবিলাক প্ৰতিনিধি বিদেশত আছে তেওঁলোকে এই বিদ্ৰোহ শেষ নোহোৱালৈকে কাৰো লগত সন্ধি নকৰে। ৰাজ কৰ্ম্মচাৰী সকলকো জনোৱা হল, যেন তেওঁলোকেও কামত ত্ৰুটী নকৰে। কিবা দৰকাৰ হলে প্ৰাদেশিক গৱৰ্ণমেণ্টক খুজিলেই তাৰ ব্যৱস্থা হব।

ৰাতিপুৱাৰ পৰা মানুহে কেউফালে বাট-ঘাট বিয়পি ইদলৰ পিছত সিদল ৰাজপ্ৰাসাদৰ ফালে যাবলৈ ধৰিলে। বাটবিলাক নাবিকবিলাকে অতি দক্ষতাৰে পহৰা দিছিল। যেতিয়া বিদ্ৰোহ চলি আছিল তেতিয়া দুখন এখন ৰাজকৰ্ম্মচাৰীৰ মটৰৰ বাহিৰে কাকো যাবলৈ নিদিছিল। ৰাজপ্ৰাসাদৰ কেউফালে হাতত বন্দুক লৈ সৈন্যবিলাকে শান্তি ৰক্ষা কৰিছিল। জয়ধ্বনিৰ শবদত গগণ ভেদি গৈছিল; তাৰ ভিতৰত কোনো মানুহক উত্তেজনাৰ বশৱৰ্ত্তীহৈ বা কু অভিপ্ৰায়ৰ অধীন হৈ চিঞৰ-বাখৰ কৰা দেখা নগৈছিল। যি বিলাক বিদেশী মানুহ তাত বাস কৰিছিল, তেওঁলোকে ব্যগ্ৰ হৈ কি হৈছে চাবলৈ ৰাজপ্ৰাসাদলৈ গৈছিল; কিন্তু তেওঁলোকক অতি নম্ৰ ভাৱেৰে বুজাই দিছিল যে তেওঁলোকে এই মুহূৰ্ত্তত ৰাজঘৰলৈ গলে হয়তো তেওঁলোকৰ বিপদ হব পাৰে।



১৯২০ চনত শ্যামৰ স্বৰ্গীয়া ৰাণীৰ শৱদাহৰ সময়ত ৰাজঅন্তঃপুৰবাসিনী মহিলা সকলৰ শোভাযাত্ৰা

বিদ্ৰোহৰ উদ্দেশ্য জনাই প্ৰজাবিলাকে দুখন কাগজ ৰজাৰ ওচৰত পেচ কৰিলে। প্ৰথম খনত ৰজাৰ প্ৰতি প্ৰজাৰ মনৰ ভাৱ লিখা আছিল। তাত লিখিছিল, প্ৰজাৰ উদ্দেশ্য নহয় যে ৰজাক ৰাজ্য চ্যুত কৰে;

কিন্তু প্ৰজাৰ স্বত্ব মানি লৈ ৰজাই সীমাৰ ভিতৰত থাকি ৰাজ্য শাসন কৰিব লাগিব, যাতে সেই শাসনত প্ৰজাৰ সকলো ফালে মঙ্গল হয় আৰু সকলো ক্ষেত্ৰতে উন্নতি কৰিব পাৰে। দ্বিতীয় খনত প্ৰচাৰ কৰিলে যে ৰাজ পৰিয়ালৰ সকলোবিলাক মানুহ বৰ্ত্তমান প্ৰজাৰ হাতত আৱদ্ধ। তাৰ লগে লগে আৰু সতৰ্ক কৰি দিলে, যদি এই আন্দোলনৰ মূৰত কুঠাৰাঘাত কৰিব খোজে তেন্তে ৰাজ পৰিয়ালৰ ভবিষ্যত একেবাৰে আন্ধাৰ।

তাৰ পিছদিনা কাকতত তলত দিয়া কথা খিনি প্ৰকাশ হৈছিল :—

"His majesty the king at 10 30 o'clock this morning signified by vadio from Hua Him that he was fully prepared to accept the wishes of the peoples party, which acquired control of the government yesterday morning by a neat and almost bloodless military coup."

"যি প্ৰজাদলে কালি কোনো ৰক্ত পাত নোহোৱাকৈ শাসন ভাৰ গ্ৰহণ কৰিলে, সেই দলৰ সকলো স্বত্ব মানি



শ্যাম দেশৰ পদাতিক আৰু নৌ সেনা সকলে একেলগে মিলি গণতন্ত্ৰৰ প্ৰতিষ্ঠাত সহায় কৰিছে। এই ছবিত সেই সকলে শ্যামৰ নতুনকৈ সজা দলং এখনৰ ওপৰেদি যাব লাগিছে।

লবলৈ মহাৰাজ সম্পূৰ্ণৰূপে সাজু আছে বুলি হিৱা হিমৰ পৰা বেতাঁৰৰে দহ বাজি ত্ৰিশ মিনিত যোৱাত খবৰ আহিছে।"

তাৰ পিছত প্ৰাদেশিক গৱৰ্ণমেণ্টে এই দৰে জাননী দিলে—"কালি আৰু আজি যি ভীষণ উৰা বাতৰি ওলাইছিল তাৰ বিপৰীতে এইটো নিশ্চয়, যে হামবেং বেজৰাৰ যুৱৰাজ



শ্যাম দেশৰ চিপাহী সকলে দেশত তেজৰ নৈ নেৱোৱাকৈয়ে নাইবা কামান বন্দুক ব্যৱহাৰ নকৰাকৈ দেশত শাসনতন্ত্ৰৰ পৰিৱৰ্ত্তন সাধিলে।

পুৰাছাত্ৰ (H. R. H Prince Purachatra of Hambaeng Bejra) হিৱা-হিমত আছে আৰু পিছ বেলা মহাৰাজৰ লগত ৰাজধানীলৈ ঘূৰি আহিব।"

দ্বিতীয়বাৰ বেতাঁৰেৰে ৰজাই প্ৰাদশিক গৱৰ্ণমেণ্টক জানিবলৈ দিলে, তেওঁ অকল প্ৰজাদলৰ স্বত্বকে মানি লৈছে এনে নহয়, তাৰ বাহিৰেও তেওঁ বহুত দিনৰ পৰা ভাবি আছে যে কোনো স্বত্বৰ ভিতৰত থাকি ৰাজ্য শাসন কৰিব। তেওঁ উচ্চ আকাঙ্খা লৈ ৰাজধানীলৈ ঘূৰি আহিছে, যাতে নতুন শাসনৰ তলত প্ৰজাবিলাকৰ উন্নতি আৰু সুখ হয়। ৰজাই পঠিৱা বাতৰি এজন কৰ্ম্মচাৰীয়ে উত্তেজিত হৈ চিঞৰি গাবলৈ ধৰিলে। পঢ়া শেষ হলত কেউফালৰ পৰা আনন্দৰ ধ্বনি উঠিল "ৰজাই আমাৰ স্বত্ব মানি লৈছে।" এই বাতৰি বিজুলী সঞ্চাৰে গোটেই ৰাজ্যত বিয়পি পৰিল। আনন্দৰ জয়ধ্বনিত গগণ ভেদি ৰোল উঠিল।

ইতিমধ্যে বহুত উৰা বাতৰি ওলাইছিল কিন্তু সেইবিলাকৰ প্ৰত্যুত্তৰ "ডেইলি মেইল"ৰ সম্পাদকে কি দৰে লিখিছে তাক পঢ়ি চালেই ভালকৈ বুজিব পাৰি—

"Nothing is settled" he said "nothing can be settled" We are now waiting to confer with His majesty the King.



ৰাজবেশত শ্যামৰ প্ৰজাধিপক

"সিদ্ধান্ত হোৱা নাই। সিদ্ধান্ত কৰিবও নোৱাৰি। আমি ৰজাৰ লগত পৰামৰ্শ কৰিবলৈ অপেক্ষা কৰি আছোঁ।"

কালি যি বিদ্ৰোহ হৈছিল তাত বহুত মিলিটেৰী আদি কৰি কৰ্ম্মচাৰী যোগ দিছিল। এই বিদ্ৰোহৰ আচল উদ্দেশ্য হৈছে ৰজা আৰু প্ৰজাৰ মিলিত শক্তিৰ দ্বাৰা ৰাজপৰিয়ালৰ ক্ষমতা হ্ৰাস কৰা; যিহেতু ৰাজপৰিয়ালৰ বহুতে ৰাজ্য আৰু প্ৰজাৰ স্বাৰ্থলৈ ভ্ৰূক্ষেপ নকৰি, নিজ স্বাৰ্থ লৈ কাম কৰে।

মিলিটেৰী কৰ্ম্মচাৰী ফিয়া বল বাল বয়ুৱা চেন (Phya Bahol Bola-boyuha Sena) দুনিশা অনিদ্ৰাৰে থাকি কঠোৰ কৰ্ত্তব্য কৰি গোটেই দেশ শান্তিৰে ৰাখিছিল। ইজনৰ পিছত সিজন আহি উপদেশ লৈছিল। সৈন্য-বিভাগ আৰু নৌ-বিভাগৰ কৰ্ম্মচাৰী সকলে আহি "ৰিপোৰ্ট" দিছিল। বাতৰি কাকতৰ প্ৰতিনিধি আহি দেখা কৰিছিল। তেওঁ সকলোবিলাকক নম্ৰ ভাৱেৰে বিদায় দিছিল।

এজন কৰ্ম্মচাৰীয়ে ডেইলি মেইলৰ দম্পাদকক কৈছিল:— "আমাৰ কবলৈ বহুত আছে কিন্তু এই সময়ত কোৱাটো যুগুত নহয়। আমি দেশত শান্তিৰ সূচনা কৰিবলৈ যত্ন কৰিছো, আৰু কৃতকাৰ্য্যও হৈছো। যেনেকুৱাই উৰা বাতৰি ওলাওক আমি এতিয়ালৈকে কব নোৱাৰো কেনেকুৱা ধৰণৰ শাসন পদ্ধতি স্থাপিত হব আৰু যুৱৰাজ সকলৰ প্ৰতি কি ব্যৱহাৰ কৰিব। মই ইয়াকে কব পাৰো, যি কৰা হব, তাক অতি সৰল ভাৱেৰে কৰা হব। তাত কোনো কু অভিপ্ৰায় নেথাকিব। আমাৰ উদ্দেশ্য নহয়, যে এটা বস্তু ধ্বংস হক। আমাৰ ইচ্ছা ৰজাৰ অধীনত থাকি ভাল গৱৰ্ণমেণ্ট স্থাপন কৰি সুখেৰে থকা। আমি এতিয়া ৰজাৰ কাৰণে অপেক্ষা কৰি আছোঁ।

কালি নিশা কৰ্ম্মচাৰী আৰু ৰাজপৰিয়ালৰ এখন সভা বহিছিল। সেই সভাৰ সিদ্ধান্তবিলাক কালি নিশাই বেতাঁৰেৰে ৰাষ্ট্ৰ কৰি দিয়া হৈছিল। কাইলৈ ৰজা



শ্যামৰ ৰাজমহিষী

আহিলে, তেওঁ প্ৰজাৰ স্বত্ব মানি লৈছে নে নাই জানিব পৰা হব।"

ওপৰত তুলি দিয়া কথাবিলাকৰ পৰা বিদ্ৰোহৰ সময়ত কি ঘটিছিল তাক সম্পূৰ্ণকৈ জানিব পাৰি। ইয়াৰ বাহিৰেও শ্যামত দুবাৰ বিদ্ৰোহ হৈছিল। ১৯৩৩ চনত এবাৰ। এই বিদ্ৰোহৰ ফলত শাসন পদ্ধতিৰ উন্নতি



খেতিৰ শেষত শ্যাম দেশত বছৰেকীয়া স্কুলন উছৱ—শাস্যাধিপতিৰ প্ৰতিনিধি হিচাপে ৰজাই এজন উচ্চবংশীয় মানুহক বাচি দিয়ে। তেওঁকেই দেৱতা বুলি ভাৱে।

সাধন হয়। শেষৰ বাৰ বিদ্ৰোহত শাসন পদ্ধতি আৰু সৈন্যবিভাগৰ কাট-কুট কৰি ঠিক-ঠাক কৰে। তাৰ পিছত ৰজা আৰু ৰাণী স্বাস্থ্যৰ উন্নতিৰ অৰ্থে য়ুৰোপলৈ যাত্ৰা কৰে। বৰ্ত্তমান নতুন শাসনৰ তলত শ্যামে সকলো বিষয়ত উন্নতি কৰিছে।

শ্যামত আদি যুগৰ পৰা স্বেচ্ছাচাৰী ৰজাৰ (absolute monarchy) প্ৰথা আছিল। ৰজাই সৰ্ব্বে সৰ্ব্বা, ন্যায়ৰ প্ৰতিমূৰ্ত্তি। প্ৰজা ৰজাৰ কৃপা ভিখাৰী। ৰজা অতি পৱিত্ৰ। প্ৰজাই ৰজাক সম্পূৰ্ণৰূপে মানি চলিব লাগিব। ৰজা শাসন-নীতিৰো (Law) ওপৰত। তেওঁ আইনৰ অৱতাৰ। ৰজাই প্ৰজাৰ পুৰোহিত। কবলৈ গলে ১৯৩২ চনলৈকে প্ৰজাধিপকে ৰাজ্যৰ সকলো ক্ষমতা বহন কৰিছিল।

শ্যাম কৃষি প্ৰধান দেশ। তাৰ মানুহবিলাকে খেতি কৰি খায়। তেওঁলোকে ৰাজনীতিৰ বিষয়ে একো গম নেপায়। গাৱলীয়া আৰু ঘৰোৱাহী জীৱন জাপন কৰি কোনো জাতিয়েই ৰাজনীতি ক্ষেত্ৰত ভৰি দিব নোৱাৰে। তাৰ বাহিৰে জাতিৰ কেনেকৈ উন্নতি হয় তাকো ভাৱিব নোৱাৰে। শ্যামৰ অধিকাংশ প্ৰজাই অশিক্ষিত। এতেকে তেওঁলোক ৰাজনীতি ক্ষেত্ৰৰ পৰা বহুত আঁতৰত। শিক্ষা কাক বোলে বহুতে নাজানে। সেই কাৰণে ৰাজপৰিয়ালে প্ৰভাৱ বিস্তাৰ কৰি সকলোবিলাক সুবিধা ভোগ কৰিছে। শ্যামত বিয়াৰ নিয়ম আদিও বৰ বেয়া। প্ৰায় সকলোবিলাকেই ৰাজ বংশৰ বুলি চিনাকি দিবলৈ ভাল পায়। কাৰ্য্যদক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি কাকো কৰ্ম্মত নিযুক্ত নকৰিছিল। শিক্ষাৰ ফালে পিঠি দিছিল। শিক্ষাৰ অবিহনত ৰাষ্ট্ৰীয় জীৱনত বহুত অন্তৰায় আছিল।

প্ৰজাবিলাকৰ মন সদায় সাধাৰণ ধৰ্ম্ম ভাৱতে আছিল। ৰজাৰ হুকুম সকলোৱে মানি চলিছিল। স্বেচ্ছাচাৰী শাসন কোনো বাধা নোপোৱাকৈ চলি আছিল। হঠাৎ ১৯৩২ চনৰ ২৪ জুনত ইয়াৰ বিপৰীত দেখা গল। কবলৈ গলে, যি বিদ্ৰোহ হৈছিল তাক বিদ্ৰোহ বুলিব নোৱাৰি। ইয়াক কিছুমান নায়ক, কৰ্ম্মচাৰী, মিলিটেৰী আৰু নাবিকৰ বিদ্ৰোহ বুলিব পাৰি। এই বিদ্ৰোহ ৰজাৰ একাধিপত্যৰ বিপক্ষে। ১৯০৫ চনলৈকে কাৰো মনত জাতীয় ভাৱ জাগি উঠা নাছিল। যেতিয়া কম্বেদিয়া বিদেশীবিলাকে হস্তগত কৰে তেতিয়াহে জাতীয় ভাৱ জাগি উঠে। বিদেশী শক্তি বেছি হোৱাৰ লগে লগে শ্যামৰ ক্ষমতা হ্ৰাস হবলৈ ধৰিলে। তলত দিয়া কথাখিনিৰ পৰাই ভালকৈ বুজিব পাৰি—"Disputes arising between British and Siamese subjects shall be determined by the consul in conjunction with the proper Siamese officers; and criminal offences will be punished, in the case of English offenders by the consul according to the English law." আমেৰিকা আৰু ফ্ৰান্সেও এই সুখ উপভোগ কৰিছিল। বিদেশীৰ হাতত শ্যামদেশ পুতলা নচা দি নাচিছিল। প্ৰজাবিলাকে ইয়াৰ বিপক্ষে একো কৰিব নোৱাৰিছিল।

ৰাজনীতি চৰ্চ্চা শ্যামত কালিৰ কথা। ভুল নহব যে এতিয়াও শ্যামত সম্পূৰ্ণৰূপে জাতীয় ভাৱ জাগি উঠা নাই।

শিক্ষাৰো বিশেষ উন্নতি হোৱা নাই। মিত্ৰ শক্তিৰ লগত শ্যামেও মহাসমৰৰ খৰচ বহন কৰিছিল। ইয়াৰ পিছত শ্যামত এছাটি জাতীয়ভাৱৰ বা বয়। সেই ভাৱত অনুপ্ৰাণিত হৈ নিজকে নিজে চিনাকি দিবলৈ যত্নপৰ হয়। ১৯২৬ চনলৈকে শ্যাম বিদেশী শাসনৰ সহায়ত আছিল। তেওঁলোকে বিদেশীৰ আগমন আৰু অন্যায় অত্যাচাৰৰ বিপক্ষে থিয় দিলে। সেই বছৰতে আংশিক ৰকমে ক্ষমতা লাভ কৰে,—স্বাধীনতাৰ মোল বুজে।

লাং প্ৰাদিত (Lung Pradit) শ্যামৰ ভোটা তৰা আছিল। তেওঁ শ্যামত কমিউনিষ্ট ভাৱ ধাৰা প্ৰৱাহিত কৰিবলৈ বৰ যত্ন কৰিছিল। তেওঁ ৰুচিয়াৰ আদৰ্শত উত্তেজিত হৈছিল। তেওঁ খেতিয়কবিলাকক হাতৰ মুঠিত ৰাখি, যাতে খেতি-বাতিৰ সুবিধা হয় তাৰ যত্ন কৰি জাতিৰ সংগঠন কাৰ্য্যত লাগি গৈছিল। দেশ জুৰি গাৱঁলীয়া মানুহ বিলাকেৰে এখন সভা কৰিছিল আৰু বিদ্ৰোহ হোৱাৰ আগত তেওঁ কৃতকাৰ্য্যও হৈছিল। প্ৰজাধিপকে ইয়াৰ গুণ বুজিব পাৰি লাং প্ৰাদিতক "পেনছন" দি ফ্ৰান্সলৈ নিৰ্ব্বাসিত কৰিলে। তাৰ পিছত বহুত কমিউনিষ্টক আটক কৰিলে। এইদৰে উঠি অহা আন্দোলন পুলিতে নষ্ট কৰিলে। দেশ বিদেশত ফুৰি অহা মানুহবিলাকৰ মনত গণতন্ত্ৰৰ (Democracy) ভাৱ প্ৰৱাহিত হৈছিল। বিদ্ৰোহৰ পিছত ইয়াৰ জলন্ত প্ৰমাণ পোৱা গৈছিল। প্ৰজাৰ ইচ্ছাৰ বিৰুদ্ধে, প্ৰজাৰ মঙ্গল কামনা নকৰি, ৰজাই নিজ ইচ্ছাৰে ইমান সুবিধা ভোগ কৰাটো তেওঁলোকে ভাল নাপাইছিল।

ৰজাই কেনেকৈ নিজ ক্ষমতাৰে অন্যায়কৈ ৰাজ্য শাসন কৰিছিল তাক বিদ্ৰোহৰ দিনা "প্ৰজাদলে" উত্তেজিত ভাষাত তলত দিয়া মতে লিখিছিল :—

"ৰজাই সিংহাসনত বহিয়েই স্বেচ্ছাচাৰী হিচাবে ৰাজ্য শাসন কৰি আহিছে। ৰাজ্যৰ সকলোবিলাক উচ্চ পদ ৰজাই নিজ ইচ্ছাৰে তেওঁৰ আত্মীয় পৰিজনক দিছে, যি বিলাক পদৰ কাৰণে তেওঁলোকে একেবাৰে অযোগ্য"।

"ৰাজত্বৰ আৰম্ভৰ পৰা প্ৰজাই ৰজাৰ পৰা সুশাসন পাবলৈ আশা কৰিছিল, কিন্তু কাৰ্য্যক্ষেত্ৰত তাৰ বিপৰীত দেখা গৈছে। ৰজাই প্ৰজাৰ দুখ দুৰ্গতিলৈ ভ্ৰূক্ষেপ নকৰি স্ব ইচ্ছাত ৰাজ্য শাসন কৰিছে। প্ৰজাই দুখ কষ্টৰ কথা ৰজাক জনাবলৈ কোনো সুবিধা দিয়া নাই। ৰজাই যিবিলাকক ভাল পাইছিল, তেওঁলোকে কোনো বাধা নোপোৱাকৈ দেশৰ টকা খৰচ কৰি নিজৰ আশা আকাঙ্খা



শ্যামৰ ৰজা আৰু ৰাণী (সিংহাসন ত্যাগৰ আগত)—দ্বিতীয় বিদ্ৰোহৰ পিছত ৰাজদৰবাৰৰ মহিলা সকলে ৰজা-ৰাণীৰ কুশল আৰু আৰু নিৰাপদত আনন্দ প্ৰকাশ কৰি নানা উপহাৰ যাচিছে।

পূৰণ কৰিছিল। তেওঁলোকে প্ৰজাবিলাকক শিক্ষাৰ পৰা আঁতৰত ৰাখি ক্ষমতাৰ অপব্যৱহাৰ কৰি, ভৰিৰ তলত দেশত কি হৈছে বা দেশৰ অৱস্থা কেনে তাক জানিবলৈ সুবিধা দিয়া নাই। তেওঁলোকে প্ৰজাৰ দুখ যন্ত্ৰণালৈ পিঠি দি নিজৰ সুবিধাৰ কাৰণে সকলো কাম কৰিছে ; তাৰ ফলত দেশত অনাটন হৈছে।"



ৰাজবিদ্ৰোহৰ এটি দৃশ্য। এই বিদ্ৰোহ দমাবলৈ গৱৰ্ণমেণ্ট ৰাজভৱনতে বিমানপোত সাজিছিল।

"এই অনাটন কোনেও লক্ষ্য নকৰে, কাৰণ ইয়াৰ ফল অকল দুখীয়া ৰায়তে ভোগ কৰিছে। ৰজাই প্ৰজাৰ হৈ ৰাজ্য শাসন কৰা নাই। প্ৰজা বিলাকক বন্দী বুলি ভাবি পশুৰ দৰে ব্যৱহাৰ কৰিছে। প্ৰজাবিলাকক মানুহ বুলি ভবা নাই। খাজনা আদিৰ টকাবিলাক কৰ্ম্মচাৰী সকলৰ জেপলৈ গৈছে। বৰ্ত্তমান জগতত এনে কতো নাই। যি আছিল তাৰ মূলচ্ছেদ হৈ গৈছে। অকল জাৰ আৰু কাইজাৰৰ অধীনত ৰুচিয়া আৰু জাৰ্ম্মাণীত এনে প্ৰথা আছিল, কিন্তু দুয়োজন আজি সিংহাসনচ্যুত।"

"গৱৰ্ণমেণ্টে প্ৰজাবিলাকক আশ্বাস দিছিল যে বৰ্ত্তমান সমস্যা সমাধান কৰিবলৈ যত্ন কৰিব ; কিন্তু কাৰ্য্যক্ষেত্ৰত একো দেখা নাযায়। প্ৰজাৰ কোনো মতামত গ্ৰহণ নকৰে। তেওঁলোকক মূৰ্খ আৰু অকৰ্ম্মণ্য বুলি ভাবিছে।"

"প্ৰজাবিলাকক কিহে মূৰ্খ কৰিলে? তাৰ উত্তৰত কব লাগিব—তেওঁলোকক ভাল শিক্ষা দিয়া নাই। ৰাজনীতিৰ বিষয়ে কোনো কথা জানিবলৈ দিয়া নাই। তেওঁলোকক এনে ভাৱে ৰাখিছে যাতে কৰ্ম্মচাৰী সকলৰ দুৰভিসন্ধি বুজি নাপায়। এইটো মনত ৰখা যুগুত যে এই ৰাজ্য প্ৰজাৰ নিমিত্তে, স্বাৰ্থান্বেষী ৰাজকৰ্ম্মচাৰীৰ নহয়, যত অবাধে নিজৰ আশা পূৰণ কৰিব পাৰে। আমাৰ উপৰি পুৰুষসকলে আমাৰ কাৰণে স্বাধীনতা লাভ কৰিছিল, সেই কাৰণে এই ৰাজ্য প্ৰজাৰ নিমিত্তে শাসন কৰিব।"

"ৰাজপৰিয়ালে প্ৰজাৰ ধন আত্মসাৎ কৰি সুখেৰে জীৱন নিৰ্ব্বাহ কৰি প্ৰজাবিলাকক অতি কষ্টত পেলাইছে। খেতিয়কে খেতি কৰি লাভ কৰিব পৰা নাই। শিক্ষিত লোকৰ ভিতৰত নিবনুৱা সমস্যা বৰ জটিল হৈ উঠিছে। গৱৰ্ণমেণ্টে তাৰ সমাধান কৰিবলৈ যত্ন কৰা নাই। মুৰব্বী সকলে নিজৰ জেপ ভৰাইছে। সোণ বিদেশলৈ পঠাইছে। যাতে কোনো বিপদ হলে ৰাজ্য এৰি গুচি যাব পাৰে।"

"প্ৰজাই গৱৰ্ণমেণ্টৰ মতি গতি বুজিছে। নিজৰ দুখ দুৰ্গতি সম্পূৰ্ণকৈ অনুভৱ কৰিছে। তেওঁলোকে এনে এটা গৱৰ্ণমেণ্ট স্থাপন কৰিব যত প্ৰজাবিলাকে জন্ম স্বত্ব হিচাপে তেওঁলোকৰ মতামত প্ৰকাশ কৰিব পাৰিব। তেওঁলোকৰ উদ্দেশ্য নহয় যে বৰ্ত্তমান গৱৰ্ণমেণ্টক একেবাৰে ধ্বংস কৰে। তেওঁলোকৰ উদ্দেশ্য হৈছে, ৰজাক কিছুমান স্বত্বৰ ভিতৰত ৰাখি, সুশাসনৰ ব্যৱস্থা কৰা"



শ্যামৰ শাসনতন্ত্ৰ (Constitution) দিনৰ এটি দৃশ্য। ৰজা প্ৰধাধিপকে দ্বিতীয় বিদ্ৰোহৰ পিছত পালিয়ামেণ্ট উদ্বোধন কৰিছে। ৰাজসিংহাসনে সৈতে ৰাজদৰবাৰৰ অন্তৰমহল।

প্রজা পক্ষৰ পৰা ৰজালৈ এই কাগজ পঠালে আৰু ৰজাক অনুৰোধ কৰিলে যেন ৰজাই প্রজাৰ স্বত্ব মানি চলে। যদি ইয়াৰ অন্যথা কৰে তেওঁ দেশদ্রোহী বুলি গণিত হব। প্রজাই যি ভাল দেখে তাক কৰিব। প্রজাই যি গৱৰ্ণমেণ্ট স্থাপন কৰিব, তাৰ দ্বাৰা অৰ্থ সমস্যা ভালদৰে সমাধান হব। তলত দিয়া মতে লক্ষ্য ৰাখি নতুন শাসন পদ্ধতি স্থাপন কৰিব—

১। দেশৰ স্বাধীনতা, বিশেষকৈ প্রজাৰ স্বাধীনতা সদায় অটুট থাকিব। এই কাম বিশেষকৈ অৰ্থ সমস্যাৰ স্বাধীনতালৈ লক্ষ্য ৰাখি কৰা হব।

২। প্রজাৰ ভালৰ কাৰণে বা প্রজাৰ স্বাৰ্থলৈ চকু ৰাখি ভাল শাসন চলিব লাগিব।

৩। প্রজা আৰু নিৰপেক্ষ সকলক সহায় কৰিব লাগিব।



বিদ্রোহ দমনত ব্যস্তসৈন্যবন্ধু। বেছকৈ এটি সৰৰ ওপৰৰ পৰা বিদ্রোহী সকলৰে গুলী চলাইছে।

৪। দেশত সকলো মানুহৰ সমান অধিকাৰ থাকিব।

৫। ওপৰৰ চাৰিটা স্বত্বৰ হীন-ডেঢ়ি নোহোৱাকৈ সকলো প্রজাই স্বাধীনতা ভোগ কৰিব।

৬। শিক্ষা আৰু জ্ঞানৰ বিস্তাৰ হব লাগিব।

সেই কাৰণে বিদ্রোহত যোগ দিবলৈ সকলোকে আহ্বান কৰা হল যাতে প্রজাবিলাক সুখেৰে থাকিব পাৰে, ন্যায় আৰু স্বাধীনতা লাভ কৰে। তেওঁলোকৰ দুখ-দুৰ্গতি লাঘব হয়। প্রজাৰ মঙ্গল হয়!

বিদ্রোহৰ ফলত ৰজা প্রজাৰ মুঠিলৈ আহিল। ৰাজা শাসনৰ ভাৰ কিছুমান উচ্চ নৈনিক, নাৱিক, আৰু ৰাজ কৰ্ম্মচাৰীৰ হাতত। এগন ৰাষ্ট্ৰ সভা (state council) আৰু এখন প্রজাৰ সভা (peoples assembly) আছে। শাসন-নীতিত প্রজাদলৰ (peoples party) ক্ষমতা বেছি। ভোটাধিকাৰ (franchise), ৰাজনীতি (politics) আৰু মিউনিছিপেল (municipal) আদি তেওঁলোকৰ হাতত।

১৯৩২ চনৰ জুন মাহৰ ২৭ তাৰিখে ৰজা প্রজাদিগকৰ স্বাক্ষৰ লৈ এখন শাসন নীতিৰ আঁচনি কৰিলে (পৰীক্ষা কৰিবলৈ)। প্রজাদলে সম্পূৰ্ণৰূপে আলোচনা কৰি ২০ ডিচেম্বৰত এখন নিখুত আঁচনি ৰজাৰ হাতত দিলে আৰু ৰজাৰ সম্পূৰ্ণ সহানুভূতি পালে। বৰ্ত্তমান শ্যাম গৱৰ্ণমেণ্টৰ শাসন-নীতি কেনেকুৱা, তলত দিয়া গল।

সাধাৰণ ব্যৱস্থা

শ্যাম সাম্রাজ্যখন এক। ইয়াৰ কোনো ভাগ নাই। জাতি-বৰ্ণ নিৰ্ব্বিশেষে এই শাসনৰ তলত সকলোৱে সমান ক্ষমতা থাকিব। ৰজাই যি ক্ষমতা পাইছে, সেই ক্ষমতা শ্যাম জাতিৰ পৰা পাইছে আৰু ৰজা জাতিৰ সৰ্ব্বে সৰ্ব্বা।

ৰজা

ৰজা পৱিত্র। তেওঁক কোনেও আঘাত কৰিব নোৱাৰে। ৰজা বৌদ্ধ ধৰ্ম্মী হব। সেই ধৰ্ম্মৰ উন্নতিৰ অৰ্থে যত্ন কৰিব। ৰজা সৈন্য-সামন্তৰ ওপৰত সৰ্ব্বে-সৰ্ব্বা।

প্রজাৰ দ্বাৰা নিৰ্ব্বাচিত সভাৰ মন্ত্রণা সভাৰ দ্বাৰা যি উপদেশ পাব সেই উপদেশ মতে ৰজাই ক্ষমতা প্রয়োগ কৰিব। সপৰিষদ সভাৰ অনুমোদন মতে ৰজাই আইন মানি যি কোনো ক্ষমতা প্রয়োগ কৰিব পাৰিব।

আইনৰ দ্বাৰা যি আদালত স্থাপিত হৈছে, তাত ন্যায় বিচাৰৰ কাৰণে ৰজাৰ ক্ষমতা থাকিব।

প্রজাদলৰ প্রতিনিধিৰ অনুমোদন মতে, খৃষ্টজন্মৰ পূৰ্ব্বে ১৪৬৭ চনৰ পৰা চলি অহা নিয়ম মতে ৰজাই ৰাজসিংহাসন

আৰোহণ কৰিব। মনচাও (Mon chao) বা তাতেকৈ ওখ খাপৰ ৰাজপৰিয়াল ৰাজনীতৰ ওপৰত।

শ্যামবাসীৰ ক্ষমতা আৰু কর্ত্তব্য

আইনৰ ওচৰত সকলো শ্যামবাসী সমান। জন্মগত উপাধিৰ সুবিধা দিয়া নাযাব। সকলো মানুহে নিজ ধৰ্ম্ম মতে পূজা-সেৱা কৰিব পাৰিব—যদি সেই ধৰ্ম্ম জাতীয়তাৰ বা জাতিৰ মানসিক শক্তিৰ অন্তৰায় নহয়।

শিক্ষা, লিখা, বক্তৃতা দিয়া, প্রচাৰ কার্য্য সভা আদি স্থাপন কৰা, স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি ৰক্ষিত আদিত সকলো প্রজাই সমান স্বাধীনতা উপভোগ কৰিব।

প্রজাৰ দ্বাৰা নিৰ্ব্বাচিত প্রতিনিধি সভা

প্রজাদলৰ সভাত, প্রজাদলৰ নিৰ্ব্বাচিত সভাৰ, সত্য কথা কবলৈ বা মতামত প্রকাশ কৰিবলৈ বা বুজাবলৈ অতিৰিক্ত ক্ষমতা থাকিব। আইনে তেওঁৰ ওপৰত কোনো হস্তক্ষেপ কৰিব নোৱাৰিব। সভাৰ কার্য্য তালিকা বক্তৃতা, সমালোচনা আদি ছপা কৰি প্রকাশ কৰিবলৈ ক্ষমতা থাকিব।

প্রজাদলৰ সভা বহি থাকোতে, কোনো সভাৰ ওপৰত আইন সম্বন্ধীয় গোচৰ হলে, তেওঁক সভাত যোগ দিয়া



ধৰ্ম্মকাৰ্য্য সম্পাদনত শ্যামৰ ৰজা

স্বাধীনতাৰ ওপৰত হস্তক্ষেপ নকৰিব। গোচৰ সোধাৰ আগতে সভাৰ আজ্ঞা লব লাগিব। সভা বুলি প্রমাণ মাগিলে আদালতে বিচাৰ কৰাৰ ক্ষমতা থাকিব।

সভা বহা কেইদিনত কোনো সভ্যক আটক কৰিব নোৱাৰিব বা আৰম্ভ কৰিবলৈ কোনো "চমন" দিব নোৱাৰিব। যদি কোনো সভাই দোষ কৰে তেতিয়া সেই কথা তৎক্ষণাত সভাপতিক জনাব লাগিব। হয়তো সভাপতিয়ে তেওঁক মুক্তি দিব পাৰে।



শ্যামৰ লৰা ৰজা

সকলো আইন নিৰ্ব্বাচিত সভাৰ উপদেশ আৰু মতামত লৈ ৰচিত হব। যি বিল ৰাজসভাৰ সভাপতিয়ে ৰজাক অনুমোদন কৰিবলৈ দিব যদি সেই বিল ৰজাই অনুমোদন নকৰে, তেন্তে অনুমোদন কৰিবলৈ দিয়াৰ এমাহৰ পিছত, (বিল নিৰ্ব্বাচিত সময়ৰ ভিতৰত যদি আহি সভাৰ হাতত পৰক বা অপৰক) সভাই আকৌ আলোচনা কৰিব। আলোচনা কৰি আকৌ অনুমোদনৰ কাৰণে ৰজালৈ পঠাব। যদি এই বাৰো ৰজাই গোচৰ দিনৰ ভিতৰত স্বাক্ষৰ কৰি যুবাই নিদিয়ে, তেন্তে বিলখন আইনত পৰিণত হব। প্রজাদলৰ সভাসকলৰ হাতত ৰাজ্য চলাবৰ ক্ষমতা থাকিব।

বাজসভা

বঙ্গাই বাজসভা স্থাপন কবিব। সভাত এখন সভাপতি আক ২৪ জন সভ্য থাকিব।

প্রজাদলব সভাপতিয়ে যাক বাজসভাব সভাপতিব কাবণে মনোনিত কবিব তেওঁহে সভাপতি হব পাবিব।

বাজসভাব কর্ত্তব্য হব দেশ শাসন কবা।

সভাপতি আক বাকী ১৪ জন সভ্য প্রজাদলব নির্ব্বাচিত সভ্যব পবা বাচি নিব লাগিব। বাকী সভ্য যি কোনো লোকক লব পাবিব। তেওঁলোকব গাত ভাল বাজনীতিব জ্ঞান থাকিব লাগিব।

বঙ্গাই যুদ্ধ ঘোষণা কবিব পাবিব। শান্তি স্থাপন কবিব পাবিব, বিদেশী বাজ্যব লগত সন্ধি স্থাপন কবিব পাবিব।

বিশ্বজাতিসঙ্ঘব (League of Nations.) যি নিয়ম প্রণালী আছে তাব বিপক্ষতা আচবণ কবি যুদ্ধ ঘোষণা কবিব নোৱাবিব।

শ্যামব অধীনত থকা বাজ্যবিলাকব লগত সন্ধি কবোতে প্রজাদলব অনুমোদন লব লাগিব। আইন স্থাপন কবি সেই বাজ্যবিলাকব প্রতি ভাল ব্যবস্থা কবিব লাগিব।

আদালত

বঙ্গাব নামত আদালতে আইনব সহায়ত ন্যায় শাসন কবিব। সকলোবিলাক আদালত আইনব দ্বাবা স্থাপিত হব। বিচাবক সকলে সকলো গোচব আইনব দ্বাবা সুদিবলৈ স্বাধীনতা থাকিব।

শেষ ব্যৱস্থা

আইনব কোনো ব্যৱস্থা, শাসন-নীতিব বিবোধী হলে, সেই আইন, আইন বুলি গণ্য নহব।

শাসন-নীতিব ব্যাখ্যা দিবলৈ প্রজাদলব সম্পূর্ণ ক্ষমতা থাকিব। তলত দিয়া স্বত্ববিলাক শাসন নীতিত থাকিব লাগিব :—

১। বাজসভাই বা প্রজাদলব সভাই কোনো প্রস্তাব দাঙ্গি ধবিলে, সেই প্রস্তাব গৃহীত হবলৈ সকলো সভ্যব এক চতুর্থাংশব অনুমোদন লাগিব।

২। কোনো প্রস্তাব গৃহীত হলে এমাহলৈ স্থগিত থাকিব। সেই সময় পাবৈহে গলে আকৌ সেই প্রস্তাব সভাত দাঙ্গি ধবিব।

৩। নাম মাতি ভোট লোৱা হব। ভোটব সংখ্যা প্রস্তাবব সপক্ষে ২ ভাগব কম হব নোৱাবিব। যেতিয়া ওপবত দিয়া ধুয়ো মতে ভোট লোৱা হয়, তেতিয়া সেই প্রস্তাব গ্রাহ্য হব।

'প্রবাসী'ব প্রলাপ

—শ্রীযুত নগেন্দ্র নাৰায়ণ চৌধুৰী

প্রবাসী নামব বঙলা মাহেকীয়া কাকত এখন বঙলাব বাহিবত প্রকাশ পবা ওবাহিছিল। গতিকে বঙলাব বাহিবব প্রবন্ধবা বঙালীব প্রতি এই কাকতব 'দবদ' সকলোতেকৈ সবহ। বর্ত্তমান অসমত বেলেগ বিধ-বিজ্ঞালয়ব কাবণে আন্দোলন চলা দেখি, এই প্রদেশবাসী প্রবন্ধবা বঙালসকলব ভবিষ্যত প্রভাব নাশ বা হ্রাস আশঙ্কাত এই কাকতব গাব গোবণি উঠিছে। অসম যে এখনি বেলেগ প্রদেশ, তাত যে বিশ্ববিজ্ঞালয় হব লাগে, তাক প্রবাসীব কল্পনাতো আনিব পবা নাই। অসমত যি উন্নতিমূলক প্রস্তাব হৈছে, সকলো যেন অকল বঙালীক উপেক্ষা বা লাঞ্ছনা কবিবব বাবেহে। অর্থাৎ অসম যেন আছে ঠিক তেনেই থাকিব লাগে, যাতে অসমত বঙলা ভাষা, বঙলা সাহিত্য আক বঙালীব প্রভাব নাশ নহৈ দিনে দিনে বাঢ়িহে যায়।

প্রবাসীব প্রধান সম্পাদকে বিজ্ঞতাব আসনত বহি কি লিখিছে এবাব পঢ়ি চা'ক—"আসামে একটি

বিশ্ব-বিজ্ঞালয় স্থাপনব প্রস্তাব হইয়াছে। যদি আসামে বাংলা ভাষা ও সাহিত্যব এবং বাঙালীব প্রভাব নাশ বা হ্রাস এই প্রস্তাবেৰ পবোক্ষ ফল বা উদ্দেশ্য না হয়, এবং যদি যথেষ্ট বেতন দিয়া ভাল ভাল অধ্যাপক নিযুক্ত কবিবাৰ, যথেষ্ট বায়ে বৈজ্ঞানিক যন্ত্রাদি কিনিয়া বৈজ্ঞানিক পৰীক্ষাগাব পুর্ণ বাখিবাৰ ও প্রয়োজনীয় সমুদয় অভিধান ও বিশ-কোষাদি কিনিয়া লাইব্রেৰীতে বাখিবাৰ টাকা আসামব গভর্ণমেণ্ট ও জনগন দিতে পাবেন, তাহা হইলে আসামেৰ জন্য আলাদা বিশ-বিজ্ঞালয় একটি স্থাপন কবাত আপত্তি না হওয়া উচিত। কিন্তু কেবল সতন্ত্রতাব জন্যই একটি পৃথক বিশ-বিজ্ঞালয়...দেখিতেছিনা।" (এইবোৰ বন্ধ কলিকতাব ছিনেটৰ বিজ্ঞানাগাবত আক লাইব্রেৰীত থাকোতে যদি অসমব ইমান দিনে শিক্ষা-দিক্ষাব ব্যাঘাত হোৱা নাই, আজি নো নহব কিয়?) "আসামৰ অধিবাসীদেৰ মধ্যে শতকবা ৪২ জন বাঙালী। তাহাদেৰ ভাষা, সাহিত্য ও কৃষ্টিৰ অনুশীলন কলিকাতা ও ঢাকা বিশ্ববিজ্ঞালয়েৰ সহিত সম্পর্ক বাখিয়া হইতে পাৰে।" (কিয় নোৱাবিব? অৱশ্যে পাবিব। কলিকতা আক ঢাকাব মুছলমান কলেজ আক স্কুলবিলাকে আলিগড় বিশ-বিজ্ঞালয়ব লগত সম্পর্ক বাখিলেই বা দোষ কি?) আমাদেৰ অসমীয়া ভাষাৰ পৰীক্ষা কলিকাতা বিশ-বিজ্ঞালয়েৰ নিয়ম অনুসাবে হইয়া থাকে।" (গতিকে অসম প্রবাসী বঙালীয়ে সেই ভাবে পৰীক্ষা দি থাকিব পাবিব। বিশ-বিজ্ঞালয় বেলেগ হলে, অৱশ্যে পৰীক্ষা প্রদেশত বহি দিয়া বৰ্ত্তমানৰ নিচিনা নহলিব, কিন্তু সামান্য কেইটামান টকা খৰচ কবি কলিকতাত নাইবা ঢাকাত গৈ পৰীক্ষা দিব নোৱাবিব নে? খৰচব নাটনি হলে "প্রবাসীয়ে" সিথিনি পুষা কবি দিব। মুঠ কথা "প্রবাসী" পঢ়িবব প্রবৃত্তি যোৱা শিক্ষা, দিক্ষা, কৃষ্টি আদি হয়—তাক নেবিবা বোপাইহে!) "অসমীয়া যাহাঁদেৰ মাতৃ ভাষা তাঁহাবা উদ্যোগী হইলেই নূতন বিশ-বিজ্ঞালয় না কবিয়াও নিজেদের ভাষা, সাহিত্য ও কৃষ্টিৰ অনুশীলন কবিতে পাবেন।" (ঠিক কথা। এবাব বিষয়টো ওলোটাই দি তাব পৰীক্ষা কবিলে কেনে হয়? অসমত বিশ-বিজ্ঞালয় হওক আক বঙলাব স্কুল কলেজ বিলাক তাব তলতে আহক। বঙলাব ভাল কৃষ্টি আদিৰ উন্নতি কবিবৰ সুন্দৰ সুযোগ আক সুবিধা নহৈ নাথাকে।) "তাঁহাদেৰ উদ্যোগিতা বাঢ়িতেছে। (সেই ভাবে অসমীয়াই লাহে লাহে উন্নতি কবি থাকক। তাত নো আক কি হৈছে?) " আসামে যে সব আদিম জাতিৰ বাস,তাহাঁদেৰ মধ্যে অধিকাংশৰ ভাষায় কলিকাতা বিশ-বিজ্ঞালয়ে ম্যাট্রিকুলেশান পৰীক্ষা হইয়া থাকেন।" (এতেকে তোমালোকৰ দুখ নো কি?)।

"বঙ্গৰ বাহিৰে যেথানেই বাঙালী আছেন, সেথানেই প্রভূত্ব কবিবেন, আমাদেৰ এৰাণ কোন কু অভিপ্রায় বা কু আশা নাই" (সচা কথা যিখিনি লিখিলে, অকল অসমীয়াৰ হিত চিন্তিছে।) "কিন্তু বাঙালী বনিয়াই বাঙালীকে কোথাও উপেক্ষিত বা লাঞ্ছিত হইতে হইবে, একণ অবস্থাও বৰদাস্ত কবা অনুচিত"।

ককাব মস্তব্যগন চ'ক। অসমত বিশ-বিজ্ঞালয় হলে বঙালী উপেক্ষিত আক লাঞ্ছিত হয় কিন্তু বঙলাব বিশ-বিজ্ঞালয়ব তলত অসম থাকিলে বোধ কবো অসমব মান-সম্মানাদি বৃদ্ধিব ওথ টিঙ পায় যৈ। প্রাদেশিকতাব সঙ্কীর্ণতাত সম্পাদক ককাইব মন এনে হৈছে, যে অসমব উন্নতিব নিমিত্তে কিবা কবিব খুজিলেই গাব গোবণি উঠে। বঙালী বুলিয়েই বঙালীক অপমত কবিব ওলায় অপবাধটো অকল অসমীয়াবে নহয়, ভাবতৰ সকলো প্রদেশে একমত হৈ বঙলাব এই সর্ব্বনাশ কবিব ওলাইছে যেন—তাক অতি সংযত লিখাব মাজেদিও ককাইহঁতৰ মনব ভাব ফটফটিয়াকৈ ফুটি উঠে। এনেকি কংগ্রেছব সম্পাদকতা প্রভৃতি সম্বন্ধে ও ককাইহঁতৰ অভিমত বাক্ত কবিবলৈ ইতস্ততঃ নকবে। নিজৰ অক্ষমতাক হিংসাৰ ফল বুলি প্রচাব কবিবলৈকো লাজ নকবে।

আমি কওঁ—ককাইহঁতৰ দিন গ'ল। এতিয়া আমাৰ ভাল বেয়া আমাকে চিন্তা কবিব দি বুঢ়া কালত ভগবানৰ নাম স্মবণ কবায়ে ভাল।

———

মইনা নোপোহোঁ

গল্প—

—শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা বি, এল, (জি, পি,)

(১)

হাওৰাৰ পৰা অলপ যাওঁতেই ট্ৰেইনৰ ঘটনা হ'ল। ইঞ্জিনটো লাইনৰ পৰা বহুত আঁতৰি পৰিল। কেইবাখন গাৰীও একতায়া হল। সেইদিনা ৰাতিৰ ভিতৰত ৰেল যোৱাৰ আগন্তুক নাই বুলি ঘোষণা কৰি দিলে। যাত্ৰীবিলাকৰ কোনো সাঁত্‌ৰাগাছিলৈ, কোনো আঁদুললৈ —যাৰ যেনে সুবিধা গ'ল। যোগেনে যিমান সময় হয় গাৰীতে কটাবলৈ থিৰ কৰিলে। মধ্যম শ্ৰেণীৰ গাৰীত মানুহ ঠাহখোৱা। যোগেনে শোৱাৰ আশা এৰি এখন বেৰত আঁউজি কলমতিয়াবৰ বন্দোবস্ত কৰিছে, এনেতে জগদীশে মাত লগালে—

জগদীশ—আপুনি কি ঠিক কৰিলে ?

যোগেন—ঠিক আৰু কি কৰিম ! ইয়াতে যিমান সময় হ'ক কটাম।

জগদীশ—সাঁত্‌ৰাগাছিত আমাৰ মোমাইৰ ঘৰ। দেউতাই তালৈকে যোৱাটো থিৰ কৰিছে। আপুনিও যদি আমাৰ লগতে তালৈ যায়, বহুত কষ্টৰ পৰা ৰক্ষা পাব। আপোনাৰ কিবা আপত্তি আছে জানো ?

যোগেন—আপত্তি থকাই উচিত ; কিয়নো আপুনি আপোনাৰ সোমাইয়েৰাৰ ঘৰলৈ যাব, মই একেবাৰে অপৰিচিত মানুহ এজনৰ তালৈ যোৱাটো বাৰু যেন নেদেখুৱায়। আপোনাসকল য'ক, মোৰ ইয়াত একো কষ্ট নহয়।

জগদীশে আৰু একো নকলে। পিতাকক যোগেনৰ অনিচ্ছাৰ কথা কলে গৈ। ভৱেশ বাবুৱে যোগেনৰ মাক, ভায়েক, ভনীয়েকহতক গাৰীত থৈ জগদীশৰে সৈতে যোগেন থকা গাৰীখনৰ কাষত থিয় হলহি।

ভৱেশ বাবু—এৱেঁই তোমাৰ বন্ধু নে কি ? বোপা, বলাচোন মোৰ লগতে ; আজি ৰাতিটো জগদীশৰ মোমায়েকৰ ঘৰতে কটোৱা গৈ। ইয়াত কষ্টৰ সীমা নাথাকিব, তাত অন্ততঃ সুখেৰে ৰাতিটো শুব পাৰিবা। আনন্দ, বোপাটিৰ যি বস্তু-বাহানি আছে নি আমাৰ বস্তুৰ লগতে থ গৈ।

যোগেনে ভৱেশ বাবুৰ কথাৰ ওপৰত একো কবলৈ নাপালে। আনন্দ চাপ্‌ৰাচী আহি তেওঁৰ বেগটো আৰু বিছনাখন লৈ গলহি। যোগেন জগদীশৰে সৈতে একেখন গাৰীতে উঠিল।

(২)

জগদীশৰ মোমায়েক চন্দ্ৰ বাবুৱে সুধিলে—জগদীশ, তোমাৰ বন্ধুক ভালকৈ চিনাই দিয়াচোন যেতিয়া ইমান কষ্ট কৰি মোৰ ঘৰলৈ আহিল, আচহুৱা ভাৱে থকাৰ দৰকাৰ কি ?

জগদীশ—এখেতৰ নাম যোগেন্দ্ৰ নাৰায়ণ বসু। ঘৰ বৰিছালৰ বাতাজাৰত। এখেতে আমাৰ কলেজতে গণিতৰ এম, এ পঢ়ে। যোৱা বেলি তিনিটা বিষয়ত উচ্চ সম্মান লভি বি, এ পাছ কৰিছে।

চন্দ্ৰ—বোপা ! তোমাৰ আতিগুৰিৰ বিষয়ে অলপ সুধিব পাৰোনে ? তোমাৰ ঘৰত কোন কোন আছে ?

যোগেন—আই আছে আৰু খুৰা এজন আছে, পিতাই দহ বছৰমানৰ আগেয়ে আমাক এৰি গল।

চন্দ্ৰ—তোমাৰ পিতাৰাই কি কৰিছিল ?

যোগেন—তেওঁ ঢাকা কলেজত গণিতৰ অধ্যাপক আছিল।

চন্দ্ৰ—নাম ?

যোগেন—মহেন্দ্ৰ নাৰায়ণ বসু।

চন্দ্ৰ—কি কোৱা ! তুমি ডাক্তৰ মহেন্দ্ৰ নাৰায়ণ বসুৰ পুতেক ! তেওঁ যে মোৰ সহপাঠী বন্ধু। জেনেৰেল এছেম্বিলি কলেজত একে লগে পঢ়িছিলোঁ। কি ভৱেশ বাবু, আপোনাৰ মনত পৰেনে—মহেন্দ্ৰবাবু কেনে অমায়িক ভদ্ৰলোক আছিল।

ভৱেশ বাবু—বোপা তুমি আগেয়েই তোমাৰ নাম নকলা কিয় ? হওঁতে মোৰো দোষ—সোধাই নাছিলোঁ—জগদীশৰ বন্ধু বুলিয়েই আপোন ভাৱিলো ; এতিয়াহে দেখিছোঁ, তুমি আৰু আপোন।

চন্দ্ৰ—যি হ'ক বোপাৰ নিচিনা এজন সজগুণী লৰা দেখি নথৈ আনন্দ পালোঁ। তাৰোপৰি তুমি এজন আত্মীয় বন্ধুৰ পুত্ৰ। মানুহে কিবা কয় নহয়—"মঙ্গহ গোন্ধায়।"

যোগেনক বেয়া পোৱা মানুহ আজিলৈকে ওলোৱা নাই। যোগেনৰ বয়স একুৰি এক মান হব, মানুহটি সুস্থ-বলিষ্ঠ, চেহেৰা অতি সুশ্ৰী, গোফ খুটিয়াইছে, মুখত সদায় হাঁহি, আলাপত সদায় অমায়িক আৰু সাধু। যোগেনৰ ভিতৰ যেনে পৰিষ্কাৰ বাহিৰো তেনে অতি প্ৰিয়, অতি আকৰ্ষণীয়। সেই বাবে যোগেনৰ লগত যেয়ে এবেলি আলাপ কৰে সেয়ে যোগেনৰ অতি আপোনাৰ হয়।

সেই দিনা তেওঁবিলাকে আৰু কথা-বতৰা হল। ৰাতিটো যে তাতে থাকিলেই পিছদিনা গধূলিহে তাৰ পৰা যাত্ৰা কৰিলে।

পিছদিনা যাবৰ সময়ত যোগেনে চন্দ্ৰবাবুৰ দহবছৰীয়া জীয়েক মৃণালিনীক কলে, "আইকণ, যাওঁ দেই। মাৰাক মোৰ নমস্কাৰ জনাবা।"

মৃণালিনী লৰ মাৰি ভিতৰলৈ গল, আৰু তপ কৰে ঘূৰি আহি তামোল এখন দি যোগেনক কলে, "আই উভতি আহোঁতে আমাৰ ঘৰত সোমাই যাবলৈ কৈছে। দাদাৰ আগত হেনো কৈছে, আপোনাক কবলৈ।"

চন্দ্ৰ বাবুৱে তেওঁলোকক আগবঢ়াই থবলৈ ষ্টেশ্যন পালে গৈ। ৰেল আহিবলৈ অলপ সময় আছিল, চন্দ্ৰ বাবুৱে এবেলি যোগেনক কলে—

চন্দ্ৰ—বোপা, তোমাৰ ওপৰত মোৰ অপত্য-স্নেহ উপজিছে। তেনে স্নেহত মোৰ পূৰ্ণ অধিকাৰো আছে। ইপিনে কব নেপায়, তুমি তোমাৰ পিতাৰাৰ উপযুক্ত সন্তান, তুমি তোমাৰ পিতাৰাৰ সকলো সজগুণ কাঢ়ি লৈছা। সেইবোৰ যিয়ে হক তুমি উভতি আহোতে মোৰ ঘৰত জৰুল সোমাই যাব লাগিব।

যোগেন—মই কোনো প্ৰকাৰে আপোনাৰ ইমান দয়াৰ যোগ্য নহওঁ। মোৰ পুৰী, ওৱেলটাৰ, কাশী, প্ৰয়াগ, আৰু লক্ষ্ণৌ ফুৰাৰ অভিপ্ৰায় আছে। বন্ধৰ ভিতৰতে এবেলি আই আৰু খুৰাক দেখা দি আহিব লাগিব। আপুনি যদি ক্ষমা কৰে, পিছে পৰেও এবেলি আহিম।

চন্দ্ৰ—নহয়, ঘূৰি আহোঁতে সোমাই এৰাতি থাকি যাবা। পিছে আকৌ আহিবা। তুমি এতিয়া মোক পৰ যেন নাভাবিবা।

ৰেল যাবৰ সময় হল। সকলো দিহা-দিহি গল। চন্দ্ৰ বাবু ঘূৰি আহিল।

(৩)

যোগেনহত চন্দ্ৰ বাবুৰ ঘৰত থাকিবৰ দিনা, চন্দ্ৰ বাবুৱে এটা মইনা চৰাই পালে। তেওঁ বাহিৰৰ পৰা মাত দিলে—

চন্দ্ৰ—আই, মিনা তোৰ নিমিত্তে এটা মইনা চৰাই পাইছো। তই যতন কৰি ভালকৈ ৰাখিবি।

মৃণালিনী লৰি আহি পিতাকক কলে—দেউতা, ই কি খায় ?

চন্দ্ৰ—ই গাখীৰ খায়।

মৃণালিনী—কিয় ? ই মৰম নেখায় নে ? ইয়াক মোৰ বহুত মৰম দিম।

চন্দ্ৰ—মৰম, খোৱা বস্তু নহয়। মৰম খাই কোনো জীয়াই থাকিব নোৱাৰে।

গধূলি চন্দ্ৰ বাবুৱে মৃণালিনীৰ মাকেৰে যোগেনৰ বিষয়ে কোৱা-মেলা কৰিছে। যোগেনে দুয়োৰে মনত সদ্ভাৱ ওপজালে। যোগেনক চন্দ্ৰ বাবু আৰু তেওঁৰ পৰিবাৰ দুয়োৰে আপোন যেন লাগিল। অকল আপোন ভাৱিয়েই তেওঁবিলাক ক্ষান্ত হব নোখোজে। যোগেনক পূৰা মাত্ৰাই আপোন কৰিহে এৰিবৰ ইচ্ছা। মৃণালিনী দুয়োৰে প্ৰাণ।

তেওঁলোকৰ মনেৰে যোগেন ইমান আপোন হৈ লাগে যে তেওঁ প্ৰাণবেই প্ৰাণ হয়। এনে আদৰৰ পাত্ৰ মানুহে বহুত চাই চিন্তি কৰে। তেওঁবিলাকে যোগেনৰ সিমান ফেৰা দেখিলে তাৰে পৰা যোগেনক তাৰ নিমিত্তে উপযুক্ত বুলি ভাবিলে। বাস্তৱিক যোগেনৰ নিচিনা সৰল স্বভাৱৰ সদ্‌গুণী সুশ্ৰী ডেকা অতি বিৰল। তেওঁবিলাকে তেনে পাত্ৰত যদি মৃণাক সমৰ্পণ কৰিব পাৰে, তেন্তে তেওঁবিলাক অনেক দূৰ নিশ্চিন্ত হয়। তাৰ নিমিত্তে যত্নবান হল।

(৪)

যোগেন ঘৰি আহোঁতে দেখে যে ষ্টেছনত চন্দ্ৰ বাবু উপস্থিত। যোগেন আচৰিত হৈ সম্ভ্ৰমেৰে কলে—

যোগেন—আপুনি নিজে কিয় আহিল ?

চন্দ্ৰ—মোৰ বিশেষ একো কাম নাই। তুমি অহাৰ বাবে বৰ বং পালোঁ।

* * * *

যোগেন ঘৰ পাই গা পা ধুই অলপ জিৱাইছে ; মৃণালিনীয়ে এখন থালত খোৱা বস্তু আৰু চাহ লৈ যোগেন থকা কোঠাত উপস্থিত।

যোগেন—আইকণ ভালে আছা ? মাৰাৰ গা ভাল নে ?

মৃণালিনীয়ে থালখন হৈ "ভাল" বুলি কৈ লৰ মাৰিলে।

* * * *

আবেলি যোগেনক লৈ চন্দ্ৰ বাবু ঘুৰি-চাকি আহিল। বাৰান্দাত বহি জিৱাইছে। পান-চৰ্ব্বত খাই নানা কথা বতৰা পাতিছে। এবেলি কলে—

চন্দ্ৰ—উস্ আজি-কালিতো এম্ এত বহুত কিতাপ পঢ়িব লাগে। তুমি কিমান কিতাপ কিনিছা ? আধা খিনি এই বছৰতেই নপঢ়িলে টান হব।

যোগেন— হয়, আটাইবিলাক কিতাপ কিনাই হোৱা নাই। পঢ়াও আৱশ্যক কৰিব পৰা নাই।

চন্দ্ৰ—মই সংসাৰৰ কথা সোধোঁ সোধোঁ বুলিও সোধা নাই। সংসাৰ চলে কেনেকৈ ?

যোগেন—দেউতাই দৰমহা বৰ বেছি নাপাইছিল। সি অলপ-অচৰপ আছিল কলিকতাত বেমাৰ চোৰাতেই শেষ পৰিল। দেউতা চুকুৱাৰ পিছত আয়ে সুতৰ কেনেকৈ পঢ়ালে কব নোৱাৰোঁ। এণ্ট্ৰেন্স পাছ কৰি জল-পানী পাইছিলোঁ। এফ-এতো পাওঁ। এতিয়া খুবাই কাছাধীত কাম কৰে। দৰমহা ডেবকুৰি পায়। তেওঁ মোক কেনেকৈ সহায় কৰে কব নোৱাৰোঁ। ইণিনে মঘো বাগানত ভদ্ৰলোকৰ লৰা দুটি পঢ়ায় অলপ পাওঁ।

চন্দ্ৰ—বোপা সংসাৰৰ ৰীতি এনেই যাৰ দৰ্কাৰ তাৰ নাই। যাৰ প্ৰাপ্য সি নাপায়। তোমাকৈ সাধাৰণ বিদ্যা-বুদ্ধিৰ লৰা কত গৈ বিলাতৰ পৰা আহিছে। তোমাৰ কিন্তু দেশীয় শিক্ষাৰ বাটতে অনেক জঞ্জাল। দিহঁক, তোমাৰ তেনে কোনো আকাঙ্খা আছে নে ?

যোগেন—আপুনি পিতৃ স্থানীয় লোক। আগোনাৰ আগত আৰু সাঁচ-বাখ কিহব ? যাৰ অন্তৰ অভাৱ তাৰ আকৌ মহৎ আকাঙ্খা ! এই যে ডুবিছো, সি এজন প্ৰফেচাৰৰ অনুগ্ৰহ।

চন্দ্ৰ—বোপা, মহেন্দ্ৰ বাবু মোৰ এজনৰ আত্মীয় বন্ধু আছিল। তেওঁ যেতিয়া বেমাৰ চোৰাবলৈ কলিকতাত আছে মই কেবা দিনো দেখা কৰিছিলোঁ। কিন্তু তেতিয়া মোৰ বৰ দুৰ্দ্দিন। তেওঁৰ নিমিত্তে মই বিশেষ যত্ন কৰিব নোৱাৰিলোঁ ! তাৰ পিছত ক্ৰমে মোৰ দিন ভালকৈ আহিল। কিন্তু তোমালোকৰ কোনো খবৰ গোৱা নাছিলোঁ। কিয়নো মহেন্দ্ৰ বাবুৰ যে লৰা এটি (অৰ্থাৎ তুমি) আছিল সেইটো পাহৰিলোঁ। সিদিনা মহেন্দ্ৰ বাবুৰ প্ৰতিমূৰ্ত্তি আকৌ দেখিহে তেওঁলৈ মনত পৰিছে। মোক মহেন্দ্ৰ বাবুৱে ছাত্ৰাৱস্থাত যেনে সহায় কৰিছিল আৰু যেনে ভাল পাইছিল সি সাধাৰণ সুহৃদৰ কাম নহয়। কিন্তু কাৰ্য্যই মহেন্দ্ৰ বাবুক মোৰ স্মৃতি-সৌধৰ পৰা আঁতৰাই নিছিল। আজি সেই ভাৰ নতুনকৈ উপজিছে।

যোগেন অবাক ! চন্দ্ৰ বাবু অলপ ৰ'ল। আকৌ কলে :—বোপা, মোৰ আগৰ অৱস্থা নাই। এতিয়া বিধিয়ে চকু মেলি চাইছে। কাৰবাবত যি লোকচান পৰিছিল তাক পুৰণ কৰিও এতিয়া বছৰ ৪০ ৫০ হেজাৰ টকা উপাৰ্জ্জন হয়। ইপিনে জমিদাৰীৰ পৰাও সিমানেই উপাৰ্জ্জন

হয়। কিন্তু খাওঁতা প্ৰাণী মুঠে তিনিটা। তুমি স্বীকাৰ কৰা, মই আজিৰ পৰা তোমাৰ সমস্ত খৰচ যোগাম। তোমাক বিলাতত পঢ়ি অহাৰ খৰচ দিম। মই যে মহেন্দ্ৰ বাবুৰ ওচৰত মোৰ ধাৰ শুজিবৰ উপায় কৰিছোঁ এনে নাভাৰিবা ; মোৰ ইয়াত কোনো স্বাৰ্থ নাই। মহেন্দ্ৰ বাবুৰ প্ৰতি মোৰ অন্তৰত সশ্ৰাৱ আছে। তুমি মহেন্দ্ৰ বাবুৰ উপযুক্ত পুত্ৰ। তোমাৰ ওপৰত যে মোৰ কিবা এটা ঋণাতীত স্নেহ উপজিছে, তাবে চিন স্বৰূপে তোমাক সহায় কৰিম। পৰ বুলি নহয়, আপোন বুলি।

যোগেনে কথাবিলাক ভালকৈ বুজিব নোৱাৰিলে। কিন্তু কিছুপৰ অবাক হৈ পাছত বুজিব পাৰিলে যে মহেন্দ্ৰ বাবুৰ ছাত্ৰ জীৱনৰ ডাংৰীত চন্দ্ৰ বাবুৰ নাম অনেক বাৰ পোৱা হৈছিল। যোগেনে একো কথাতেই মাস্তি নহল। তেওঁ সকলো কথা মাক আৰু খুবাকক জনাবলৈ কলে। যোগেন সেই দিনা বাতিটো থাকি পিছদিনা ঘৰলৈ যাত্ৰা কৰিলে।

(৫)

যোগেন ঘৰ পাই দেখে চন্দ্ৰ বাবুৰ চিঠি এখনো তেওঁৰ নামে লগে আছিল। চিঠিখনেৰে চন্দ্ৰ বাবুৱে যোগেনৰ খুবাকক মাতিছিল। যোগেনে চন্দ্ৰ বাবুৰ অযাচিত স্নেহৰ কথা খুবাকক কলে। খুবাকে প্ৰকৃত কথা ভালকৈ বুজিব নোৱাৰি এবেলি মোহাৰি স্থিৰ কৰি, যথা সময়ত চন্দ্ৰ বাবুৰ ঘৰত উপস্থিত হল।

খুবাকক পাই চন্দ্ৰ বাবুৰ অপাৰ আনন্দ। যোগেনৰ ঘৰ সকলো মানুহ যে আদৰ্শ ৰূপে পৰিগণ্য হব পাৰে, তাত চন্দ্ৰ বাবু বিমোহিত। ইপিনে খুবাকে আচল কথা সহজে বুজি পাৰিলে—মৃণালিনী-দান চন্দ্ৰ বাবুৰ স্নেহ-দক্ষিণা। তেওঁৰ চন্দ্ৰ বাবুৰ অন্তৰত সোমাবৰ কোনো উপায় নাছিল। সেইগুণেই তেওঁ তেনেদেৰে কথাটো বুজিছিল। ইয়াৰ পৰা যদি চন্দ্ৰ বাবুৰ ওপৰত কিবা অজ্ঞাতে হৈছিল,সেইবাবে খুবাকৰ দোষ মৰ্ত্তব্য।

খুবাকে দেখিলে ছোৱালীটি তামুলী-ফৰিং যেন। অতি বিতোপন ছোৱালী। অতি বিতোপন মিতিৰ। তেওঁ কিন্তু অলপ আচৰিত হল। কিয়নো পূৰ্ব্ববঙ্গ আৰু পশ্চিম বঙ্গৰ মাজত বিবাহ আদি সম্বন্ধ সুসভ্য বঙ্গদেশতো অতি বিৰল। যিহক, চন্দ্ৰ বাবুৰ অনুগ্ৰহ আৰু যোগেনৰ প্ৰতি স্নেহ দেখি তেওঁ প্ৰস্তাৱ সমৰ্থন কৰিলে।

চন্দ্ৰ বাবুৱে যোগেনক বিলাতলৈ পঠিয়াৱাৰ কথাকে প্ৰথম কৰিলে। মৃণালিনী তেতিয়াও সৰু, আৰু বিয়া দুই তিনি বছৰৰ পাছতে বা যোগেনৰ সুবিধা মতেও হব পাৰিব। কিন্তু যোগেনে যেন তেওঁৰ দান বৰ্ত্তমান নিৰ্ম্মাৰ্থ বুলিয়েই জানে, সেই বিষয়ে খুবাকক বিশেষ অনুৰোধ কৰিলে। চন্দ্ৰ বাবুৱে কলে—"পুত্ৰ আৰু জোঁৱাই দুয়ো সমান। মই যদি যোগেনক এনে স্নেহেৰে বাঢ়োঁ যে যোগেনে মোৰ পুত্ৰ-স্থান অধিকাৰ কৰে, তেতিয়া মিনাৰ বিয়া যোগেনৰ হাতেতে পৰিব। ইপিনে যদি যোগেনে মোৰ ইচ্ছা আৰু অনুগ্ৰহক সম্মান চকুৰে চায়, তেন্তে সময়ত যদি মই ইচ্ছা প্ৰকাশ কৰো যে যোগেনে নিজে মোৰ মিনাৰ ভাৰ লোৱা উচিত, তেতিয়া যোগেনৰ নিচিনা গুণী লৰাই মোৰ ইচ্ছা দলিয়াই নেপেলায়।"

খুবাকে দেখিলে কথাটো সত্য। আন মানুহে ছোৱালী দি উপকাৰ কৰিলে আগে পকা বন্দোবস্ত কৰে তাৰ পিছত হে সহায় কৰে। চন্দ্ৰ বাবুৱে যেতিয়া যোগেনক ইমান বিশ্বাস কৰিব খুজিছে—যোগেনৰ প্ৰকৃত পৰিচয়ত বাধা দিয়া উচিত নহয়।

যোগেনৰ মাকো সমত হ'ল। যোগেনে কিন্তু মাজে সময়ে প্ৰকৃত কথাটো অলপ ভাবিছিল। কিন্তু চন্দ্ৰ বাবুৰ সৰল ব্যৱহাৰত ইমান মুগ্ধ হৈছিল যে সেইবোৰ ভাৰ বৰকৈ কাষ নপাইছিল। সকলো যোগাৰ যন্ত্ৰ হ'ল। যোগেনে বিলাত যাত্ৰা কৰিলে।

যোগেনৰ অন্তৰ্দ্বা খাৰাপ হব পাৰে, কিন্তু মন সকলে পৰা বৰ ডাঙৰ আছিল। তেওঁ চকুৰ আগত সদায় উচ্চ আদৰ্শ ৰাখি চলিছিল। অনেক সময়ত আদৰ্শবিলাক কাল্পনিক বা অলীক বুলি ভাবিছিল। কিন্তু তেওঁৰ জীৱনত পদে পদে যি কৃতিত্ব-লভিছিল তাৰ পৰা বৰ উৎসাহ পাইছিল। তেওঁ সকলৰে পৰা অন্তৰৰ আকাঙ্খাৰ কথা কাৰো আগতে প্ৰকাশ নকৰিছিল। উচ্চ শিক্ষাৰ নিমিত্তে বিলাতলৈ যোৱাৰ ইচ্ছা প্ৰবল থাকিলেও

দাবিদ্রই তেওঁৰ অন্তৰৰ ভাৱ হেঁচি ৰাখিছিল। কিন্তু শেহত নিজৰ সদ্‌গুণৰ বাবেই তেওঁৰ ইচ্ছা পূৰণৰ সম্পূর্ণ উপায় পালে।

যোগেনে চিভিল চাৰ্ভিচ্‌ (civil service)ৰ নিমিত্তে যত্ন নকৰি কেম্ব্ৰিজ (Cambridge) বিশ্ব বিদ্যালয়ত ভর্ত্তি হল। তাত বি,এ চিনিয়াৰ ৰেংলাৰচিপ (senior wranglership) বা ট্রাইপচ্‌ (tripos) আৰু এল এল বি (L. L. B.)ৰ নিমিত্তে যত্ন কৰিলে। ইপিনে গ্রেইজ ইন্‌ (Grey's inn) তো যোগ দিলে। ঠিক সময়তে যোগেনে বিএ পাছ কৰিলে। প্রথম শ্রেণীৰ ট্রাইপচ্‌ পালে। এল্‌ এল্‌ বি, বাৰ-এট-ল ই দেশৰ উভতি আহিল।

চাৰি বছৰৰ পিছত যোগেনে অনেক জ্ঞান উপার্জ্জন কৰি দূৰি আহিল। চন্দ্র বাবুৰ ঘৰত তেওঁ অতিথি। কিমান আদৰ-সম্ভাষণে যোগেনক বেঢ়ি ধৰিলে তাৰ সীমা নাছিল। যোগেন তাতে দুদিন থকাৰ কথা। পাঁচদিনা চন্দ্র বাবু কিবা কথাত অনুপস্থিত। মৃণালিনী এতিয়া গাভৰু ছোৱালী। আগৰ দৰে নিসঙ্কোচে যাবে-তাবে আগত নোলায়। তাতে বিধিৰ বিধান এনেয়ে—প্রেমৰ বাজাত যি অতি আপোন, যাৰ ঠাই হিয়াত, যাৰ চিত্র মনৰ মাজত তাৰ লগত ব্যবধান বহুত দীঘল।

যোগেনে এবাৰ মৃণালিনীৰ খবৰ কৰিলে। সুযোগ আৰু সুবিধা চাই মৃণালিনীয়ে দেখা দিলে। হাতত ছখনমান তামোল।

যো—মৃণা, তুমি ঘৰত নাছিলা নেকি? তোমাৰ দেখোন একো উম-ঘামকে পোৱা নাই।

মৃণা—কিয়, আপুনি নো কিমান খবৰ কৰিছে? তামোল খোৱা অভ্যাস—

যো—নাথাকিলেও পূৰা মাত্রাই হব। দিয়ঁা, তোমাৰ কথা সোধা নাই কাৰণ ভাবিছিলোঁ, তুমি ঘৰত নাথাকিবও পাৰা।

মৃণা—কেনেকৈ? মৰি—?

যো—তেনেকৈ কোৱা কিয়? তুমি অন্য বকমেও অনুপস্থিত থাকিব পাৰা।

মৃণা—কিদৰে?

যো—কিয় তোমাৰ স্বা—মীৰ ঘৰত.....

যোগেনে মৃণালিনীৰ বিয়াৰ বিষয়ে কোনো খবৰ পোৱা নাছিল। নিজেই ভাবিছিল যে মৃণালিনীৰ বিয়া হব পায়।

কিন্তু যোগেনৰ সামান্য কথা আষাৰে মৃণালিনীৰ হিয়াত তীক্ষ্ণ বাণে বিন্ধাৰি বিন্ধিলে। মৃণালিনী জয় পৰি গ'ল। কিছুমান অভাগনীয় ভাৱৰ সোঁত তেওঁৰ প্রাণৰ মাজেৰি বৈ গ'ল। মৃণালিনী লাহেকৈ মাটিতে বহি পৰিল। যোগেনৰ বুজিবৰ বাকী নাথাকিল। তেওঁৰ কথাই মৃণালিনীক আঘাত কৰিলে।

যোগেন—মৃণা মোক ক্ষমা কৰা। তোমাৰ প্রাণত বেদনা দিয়া মোৰ অভিপ্রায় নহয়। হঠাৎ হে তেনে প্রশ্ন কৰিলোঁ।

মৃণা—আপোনাৰ পৰা কোনো ক্ষমা নিবিচাৰোঁ। মোক হে ক্ষমা কৰক যে মই আন কপে আপোনাৰ লগত আলাপ কৰিছিলোঁ।

যোগেন—ৰাক সেইবোৰ কথা থক। আন কথা উলিওৱা।

মৃণা—কথা বিশেষ একো নাই, মোৰ এটা মইনা চৰাই আছে। তাক নিজ-হাতে গাৰীৰ খুৱাওঁ। কিন্তু বুজি নোৱাৰিলোঁ সি মোক ভাল পায় নে নেপায়?

যোগেন : – সি তোমাৰ হাতৰ পৰা খুঁটি খায় নে?

মৃণা – নাখায়, ধৰি বলেৰে খুৱাব লাগে।

যোগেন—তেনে চৰাই নোপোহাই ভাল। অন্য এটা চৰাই পুহি চাব পাৰা।

৭

যোগেনে মৃণালিনীৰ কথা বুজিও বুজা ভাও ধৰিলে। ইপিনে মৃণালিনীয়ে যোগেনৰ কথা বুজিৰ পাৰি মৰ্ম্মাহত হ'ল। মৃণালিনীৰ অৰ উঠিল। গধূলি পিতাক আহি দেখে যে মৃণাৰ অৰ।

চন্দ্র—মৃণা কেতিয়া অৰ উঠিল?

মৃণা—দেউতা তুমি দিয়া মইনা চৰাইটো উৰ গ'ল। সি মোৱাত ইমান বেজাৰ পালোঁ যে তেতিয়াৰ পৰা অৰ উঠিল।

চন্দ্র—আই বেজাৰ নকৰিবা। মই আকৌ এটা আনি দিম।

মৃণা—ইমান দিনে চৰাইটোৰ ওপৰত এটা মায়া হৈছিল। তাক নেপাগোঁ, মই আক মইনা নোপোহোঁ।

পঞ্চ-প্রদীপ

[নাটৰ হৈ এগছি]

(আগৰ সংখ্যাৰ পাছৰ পৃষ্ঠা)

—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ বি-এ,বি-টি

ছুগোধাৰি কোনোবা এধাৰিৰ অনুকৰণ বুলিবৈলৈকো আজিলৈকে জগতৰ সাহিত্যত এনে কোনো মহাকাব্য বা নাট্যলীলাৰ সম্ভৱপৰ বাতৰি নাই যিহত নির্ভৰ কৰি ছুগোধাৰিকে কোনো এক মূলৰ অনুকৰণ বুলি ভাবিব পাৰি। প্রাচীন সাহিত্য বুলিলে ভাৰতৰ, চীনৰ, আৰু ইজিপ্তৰ সাহিত্যই যে অতি পুৰণি ই সৰ্ব্ববাদীসম্মত। ইয়িপ্ত বা চীনত এনে মহাকাব্যেৰে এনে নাট্যলীলা প্রাচীন কালত আছিল বুলি কোনো বাতৰি নাই। গতিকে ছুগোধাৰি কোনে মূলৰ অনুকৰণ বুলি ভাবিব নোৱাৰি।

এধাৰি ইধাৰিৰ অনুকৰণ বুলিবৈলে গলে দেখা যায়—ৰামায়ণ কোনো মতেই খৃষ্টপূর্ব্ব সপ্তম শতিকাৰ ইপাৰলৈ আহিব নোৱাৰে, গতিকে অনুকৰণ যদি হবই লাগে খৃষ্টপূর্ব্ব পঞ্চম শতিকাৰ গ্রীক ট্রেজেডিহে হব। এই মীমাংসাৰ বিপক্ষে ভালেখিনি ওজৰ-আপত্তি শুনা যায়। গ্রীক জাতি জাগ্রত জাতি, কাৰো অনুকৰণ কৰা নাছিল। গ্রীচৰ পৰা ভাৰতলৈ অহা-যোৱা কৰা সেই কালত সুগম নাছিল। ভাৰতৰ অনুকৰণ বুলি 'ইষ্কিলচে' স্বীকাৰ কৰা নাই। ভাৰততকৈ বহু ইজিপ্তৰ লগত হে সেই কালৰ গ্রীকৰ আদান-প্রদান আছিল। ট্রেজেডিৰ ক্রমবিকাশ হব পৰা বাজ গ্রীচৰ 'দেকচ'ৰ নৃত্যোৎসৱ আৰু আনুষ্ঠিতে যথেষ্ট আছিল। গতিকে ট্রেজেডি অনুকৰণ নহয়—স্বাধীন।

গ্রীক জাতি অনুকৰণ কৰা জাতি নহয় বোলা কথা আঘাৰত সত্যতাতকৈ স্বদেশপ্রেম হে বেচি ফুটে। আজি বিশ শতাব্দীৰ পোহৰত কাৰো জানিবলৈ বাকী নাই অনন্ত কালৰ পৰাই ভাৰত হেন কামধেনুৰ দুগ্ধধাৰা যে যুৱোপে পান কৰিয়েই আছে। গণিত, জ্যোতিষ, আয়ুৰ্ব্বেদ, ধর্ম্মতত্ত্ব আদি ওক বিষয়বিলাক ভাৰতৰ পৰা গ্রীচলৈ যোৱাৰ প্রমাণ যি আছেই নে হিতোপদেশ পঞ্চতন্ত্রৰ দৰে পুথিত থকা পশুপক্ষীৰ নৈতিক সাধুকথা-বিলাকো এচিয়া মাইনৰৰ গ্রীকবিলাকৰ জৰিয়তে 'ঈছপ' ইচপৰ হাতত পৰা কথা 'ৰেবষ্টাৰ' প্রমুখে ঐতিহাসিক-সকলেও কব লাগিছে। আন কি গ্রীক ট্রেজেডিৰ জন্মৰ বহুত আগৰেয়ে আহাৰত জাল দি থোৱা জলকীয়া সিও যৈছিল ভাৰতৰ পৰা। চন্দ্রগুপ্তক 'এণ্ড্রকোটচ্‌' বা 'চেন্দ্রকোটচ্‌' কৰা দি লোকৰ দস্তত নিজৰ বোল দি যৈছিল এই গ্রীক জাতিয়ে—এইবিনিতে ইবিলাক স্বাধীন আৰু জাগ্রত।

সেই কালত গ্রীচৰ পৰা ভাৰতলৈ অহা-যোৱা সুগম নাছিল বুলিবও নোৱাৰি। মহানীৰ আলেকজেণ্ডাৰৰ অভিযানৰ পাচৰ পৰা গ্রীচলৈ ভাৰতবাসী যোৱাৰ অন্তই নাই। তাৰ আগেয়েও গ্রীক ট্রেজেডিৰ জন্মৰ আগতে ভাৰতৰ বিষয়ে সবিশেষ গ্রীচত প্রচাৰ হোৱা কথা লাহে লাহে পোহৰলৈ আহিছে। দেবাইয়চৰ আগেয়ে পাৰস্যৰ জৰিয়তে আৰু বেদৰ দিনৰ পনী বা 'ফিনিচিয়ান'ৰ জৰিয়তে ভাৰতৰ বাতৰি সঘনাই নহলেও পাতলাই গৈয়ে আছিল। 'স্কাইলাক্স' আৰু 'ষ্টিচমাচে' ভাৰতৰ লিখিত বিৱৰণ গ্রীচলৈ লৈ যৈছিল বুলি গ্রীকসকলে কয়। গ্রীক কর্ম্মচাৰী স্কাইলাক্স গ্রীচৰ কাৰিয়াণ্ডাৰ অধিবাসী। ভাৰতৰ সবিশেষ বিৱৰণ লিপি-বদ্ধ কৰি নিবলৈ দেবাইয়চে তেওঁৰ ভাৰতলৈ পঠিয়াই-

ছিল। ভাবতত প্রায় আঠৈ বছব কাল কটাই ভালেমিনি কথা সংগ্রহ কবি তেওঁ প্রায় খৃষ্টপূর্ব্ব পাঁচ শ পোন্ধব বছবমানত গ্রীচলৈ যুবি যায়। তেওঁ নিয়া জ্ঞান গ্রীচত প্রায় একত্রিশ বছব ব্যাপি প্রচাব হোৱাব পাচত হে গ্রীক ট্রেজেডিব জনম। স্কাইলাস্চব বিবৰণাক 'হিবডটাচে' বহুল প্রচাব কবিছিল। হিবডটাচ আক গ্রীক ট্রেজেডিব জনম সমসাময়িক। সেই সময়তে 'হিকাটিড্চ' নামব গ্রীক এজনেও তেওঁব ভূ-পবিচয়ত ভাবতব বিবৰণ প্রথমে দিয়ে। স্কাইলাস্কব বিবৰণ বোলে হেবাল। গতিকে তাত কি আছিল বা নাই কব নোৱাবি। পাচব লিখকে মাজে মাজে উল্লেখ কবা লৈ চাই তাত নাটালীলাব বিবৰণ অলপ নহয় অলপ থকাব হে সম্ভব। গ্রীচে হাতে পোৱাতে বেবিলনব সি মহামেলা হয় তাৰেই গ্রীচব সি আছেই নে খৃষ্টপূর্ব্ব সপ্তম শতিকাবে পবা পাঞ্জাবব পবাও দলে দলে ভাবত-বাসী গৈ বহুদিন থকাব প্রমাণ আছে। বৌদ্ধযুগব জাতকব গল্পইও তেতিয়া সেই কালত বেবিলন ভেঙ্গিছিল নাট্যলীলাক কিহে বাধা দিব পাবে বুজিব নোৱাবি। তেতিয়াব পাবস্য আজিব পাবস্য নহয়। সি ভাবত সভ্যতাবে এপ্রতি। নাট্যলীলাক বাধা দিব পবা এতিয়াব ধর্ম্ম তেতিয়া তাত নাছিল। অতি তীক্ষ্ণ প্রতিভাশালী ইস্কিলচে কোনটিব পবা তেতিয়া কোন ফালে নাট্যলীলাব প্রেবণা পাইছিল তাব ইঙ্গিত নিজে দি যোৱা নাই যেতিয়া পাৰিপাৰ্শ্বিক ঘটনাব পবা অনুমান কবাত বাজে জানিবব উপায় আক অইন একো নাই। ইস্কিলচব গ্রন্থব দহ ভাগব ন ভাগেই যেতিয়া হেবাল ভাবতব অনুকবণ ইস্কিলচে স্বীকাব নকবাব প্রশ্নটি উঠিবই নোৱাবে।

ভাবততকৈ ইজিপ্তব লগত বেচি আদান-প্রদান বুলি ভাবতব হাত সবাটি টান। 'বিগ-বেদিক ইণ্ডিয়া'ত বহলাই আলোচনা কবা আছে—ইজিপ্তব ধর্ম্ম, সমাজ, পৌবাণিক তত্ত্ব তো কথাই নাই, অইন কি অজুপ্ত, নীল নদী, মিশ্র আদি নামকবণো ভাবতব। ইজিপচিয়ান-সকলে আদিতে সি 'পণ্ট'ব পবা ঘোৱা বুলি বিশ্বাস কবে সেই 'পণ্ট' অইন একো নহয় ভাবতবে পাণ্ডা বা মালাবাব। ইজিপ্তব কোনো কোনো বন্দবত ভাবতীয় সদাগবসকলব চেষ্টাত ভাবতব নাট্যলীলা, বিশেষকৈ বামায়ণ, অভিনীত হোৱা একো আচবিত নহয়। গ্রীকসকলে সেই কালত ইজিপ্ত মুবুলি ইণ্ডিয়া বোলা, আক ইণ্ডিয়া মুবুলি ইজিপ্ত বোলা দুলাস্তিব প্রমাণ তেনেই বিবল নহয়।

'বেক্চ'ব নৃত্যোৎসবব পবা স্বাধীন ভাবে গ্রীক ট্রেজেডিব ক্রমবিকাশ বুলি ভাবিবলৈকো 'বেক্চ'ব পূজা আক নৃত্যও যে ভাবতব তন্ত্র-পূজাব বশ্বানি। গ্রীক-সকলে আজিও এই কথা বিশ্বাস কবে বুলি 'ব্যওনিস্চ' চাহাবে উল্লেখ কবি গৈছে।

পবস্পব মুখাপেক্ষী নোহোৱাকৈও দেশে দেশে স্বাধীন চিন্তা হব পাবে। আমিও মানো কোনো কথাত সি হব পাবে। নিজব দেহতা বোলাবলৈ গ্রীক দার্শনিক 'এম্পেডক্লেজ' সৌশবীবে আগ্নেয়গিবিত সোমাই যোৱা আক আমাব বন্ধু ভাঙুবীয়ে বুবাদিয়াত বুব মাবি দেহলোকলৈ যোৱা দুইবো স্বাধীন চিন্তা বুলি মানি লবলৈ আপত্তি নাই। কিন্তু বুবাদিয়াত বুব নেমাধি বেহ-কাতিব মাজত নোসোমাই বন্ধু ভাঙুবীয়ে যদি বাইহাটাব ফালব পৰ্ব্বত এটিব ফাট বা গুহা চাই তাতে জুই দি গোবা পৰ্ব্বত পাতি ললেহেঁতেন, আক সোমাই যোৱাব বেলিকা 'এম্পেডক্লেজে' জোতাপাত এবি থৈ যোৱাদি ফস্তাপাত এবি থৈ গলহেঁতেন, আক যদি বন্ধু ভাঙুবীব দিনত গ্রীক সদাগব বা তেনে কোনো লোক গ্রীচব পবা নলবাৰী বা ওৱালগুবিব মেলাতে গতায়াত কবি গ্রীচব বা-বাতবি দিব পবা সুবিধা থাকিলহেঁতেন, বা দার্শনিকব মহিমা কীর্ত্তনব অলপ নহয় অলপ শুং-সূত্র থাকিলহেঁতেন, তেতিয়াও যদি বন্ধু ভাঙুবীব স্বাধীন চিন্তা বুলিলৈ দবি থাকিব লগীয়া হয়—তেনে সেই যুক্তিব অন্ত নাই আকোৰ্গোজালি।

'ইস্কিলচ'ব জীবনলৈ চালে দেখি সকতে তেওঁব কবিতাব প্রতিভা যথেষ্ট আছিল, সেই বুলি গ্রীক ট্রেজেডিব আদি বীজ তাত ফুটা নাছিল। যুজাক বেশেবে ডেকা কালত তেওঁ

বিশাল পাবস্য বাজ্যব ভয়ঙ্কব পতন নিজ চকুবে দেখিছিল, মাবাঠান আক চালামিচাদিব যুদ্ধত কৃতিত্বেবে যুদ্ধ কবিছিল। দেবাইয়চব দিনত অগণন ভাবতীয় সেনা দলে দলে পাবস্য আক গ্রীচব সগক্ষে আক বিপক্ষে থাকি যুদ্ধ কবা কথা ইতিহাসতে আছে। আজিও ভাবতীয় হিন্দু সেনাই অবসব কালত যদি কিবা গভীব গীত গায় সিও বামায়ণ। ভাবতব যদি সেই সময়ত লোকজনপ্রিয় কোনো কথাব গৌবব কবিবলৈ আছিল সি বামায়ণ। পঞ্চাল, গুৰ্জ্জব, গান্ধাব প্রভৃতিব দলে দলে ভাবতীয় সেনাব মাজত বামায়ণব জনানন্দকব অভিনয় দেখিবলৈ এই দবেই ইস্কিলচে অবসব পাইছিল। "এইবিলাকব পবা যুবি গৈ প্রায় জীবনব সোঁ-মাজত 'ইস্কিলচ' হমাবব মহাকাবাব অংশেবে নাটক লিখি নিজে গীত-মাত আক অভিনয় শিকাই কোনো কোনো ভূমিকাত অভিনয় কবি প্রথমে প্রথমে মুখা পিন্ধোৱাই দুজন ভাৱবীয়া আক গায়নেবে গ্রীক ট্রেজেডিব আবম্ভ কবিলে।"—এইখিনি বিবিলাকবে কথা। ইয়াব পাচতো কব লাগিব নে গ্রীক ট্রেজেডি বামায়ণব সাদৃশ্য কিয় ইমান।

খৃষ্টাব্দব ষোল শতিকাক বুকুত লৈ আকৌ জগতলৈ নাট্য লীলাব আক এটি যুগ আহিল। আকৌ বৌদ্ধ ভাবতব সন্ধ্যাকাশ যুবোপব নাট্যলীলাব পুবাব আকাশ হৈ তিববিবাবলৈ লাগিল। ভাবতব মাজেদি ইয়াব প্রবাহ বৈ গল। ভাবত তেতিয়া আগব ভাবত নহয়। মুছমমান বজা সকলেবে স্বাধীন হিন্দু বজা সকলব ঘন ঘোব সংঘর্ষ। নিজব নিজব ভিতবতো অন্তর্দ্বেহ। অবিবল ধাবেবে সন্তানব তেজ বৈ ভাবতমাতাব বুকু পঙ্কিল কবিলে। তদুপবি বি ভাষাব মাজে ভাবতব অতীত গৌবব প্রকাশ পাইছিল সেই চিব পবিত্র দেব ভাষা বজাঘবত এলাগী হল। প্রদেশে প্রদেশে ভাষি ছিগি প্রাদেশিক ভাষাব চেষ্টা চলিবলৈ ধবিলে। ভাবতবর্ষব প্রতিভা প্রকাশ পাবলৈ পবিগত ভাষা বা সুবিধা নেপালে। জগতক এই যুগত শ্রেষ্ঠ নাটক দিয়া অসম্ভব হৈ উঠিল। তথাপি যতে যতে বাজশক্তি আক প্রজাব চেষ্টাব মিল আছিল ততে ততে আলম বিচাবি ভাবতব কলাবিদ্যা আকৌ এবাব জিকাবি উঠিল। আকৌ এবাব জিলিকি জিলিকি জগত গোটেই খনিক স্তম্ভিত কবিলে এক হবিদাস গোস্বামীব কণ্ঠস্বব আক তেওঁব শিষ্য তানসেনব ববাবব তানে,—আক সেই কাহিনী তীবব দুষন্ত শকুন্তলাব বিবহ অশ্রুব মর্ম্মব প্রতিমা, ভাবত প্রতিভাব জীবন্ত সপোন, পৃথিবীব সপ্তম আশ্চর্য্য—তাজমহল।

বর্ত্তমান যুগ আবম্ভণতে যুবোপব মধ্যযুগব আবম্ভণ। বৌদ্ধযুগব ধর্ম্ম প্রচাবক নাটকব প্রভাব দেখি নাটকলৈ যুবোপীয় ধর্ম্ম যাজকব যি বিবাগ আছিল সি লাহে লাহে শিথিল হৈ পবিল। ধর্ম্ম প্রচাবব স্বার্থ জাগি উঠিল। চাওঁতে চাওঁতে 'মবেলিটি' আক 'মিষ্টিবিজ' নামব নাট্যলীলাই গোটেই যুবোপ ছাটি পেলালে। এই বিলাকব উদ্দেশ্য আছিল ধর্ম্ম শাস্ত্রব দৃষ্টান্ত বা তথ্য বিলাকব অভিনয় কবি সাধাবণব মন আকর্ষণ কবা। ৫২৭৯/অ:

তাব পাচত ষোড়শ শতিকাব লগে লগে কুলীন সাহিত্যব আদর্শবে ইটাগিত 'আবেষ্ট' আক 'মাকেয়াভিলে' নতুন নাটক লিখিবলৈ ধবিলে। ধর্ম্ম প্রচাবব আহিলা স্বৰূপে ইতিপূর্ব্বে যি অভিনয় হৈছিল তাত লাহে লাহে হাস্যবসব প্রচলন হবলৈ ধবাত ঐতিহাসিক চবিত্রলৈ বাট ওলাই পবিল, আক যুবোপব নাটকত নতুন বিনাইজেন্চব নতুন সোঁত ববলৈ ধবিলে—যি সোঁত প্রায় এহেজাব বছবব আগতে ভাস কবি প্রমুখ্যে নাট্যকাব সকলে ভাবতবর্ষত বোৱাই থৈ গৈছে। এই শতিকাবে মাজ ছোৱাত 'টেচ' আক 'থাবিনি'য়ে গাৱলীয়া নির্দ্দোষ জীবনব বিষয় বস্তুবে নাটক লিখিবলৈ ললে আক চাওঁতে চাওঁতে সেই নাটকেই যুবোপব যুগান্তব আনিলে।

ঠিক এই সময়তে ফ্রান্সত 'প্যেবি কর্ণেইব' জনম। এওঁব নাটকে যুবোপত নাটকত অশেষ শক্তিব সঞ্চাব কবিলে। কমিডিব সর্ব্ব শ্রেষ্ঠ নাট্যকাব 'মলাইয়েব' এওঁব সমকালিক। 'মলাইয়েব' আদিতে 'প্লটাচ' আক 'টেবেন্সব' অনুকবণ কবিছিল যদিও শেষত বজাঘবীয়া উদ্ভাহ

পাই নিজ প্ৰতিভা বলেৰে ফ্ৰান্সৰ নাট্যলীলা জগতৰ চকুলৈ লহ পহ কৰে তুলি আনিলে। উনবিংশ শতিকাৰ আগভাগত 'হ্বিক্টৰউইগ' আৰু 'ডুইমা'ৰ দিনত ফ্ৰান্সৰ নাটক আকৌ এক নতুন পোহৰত জিলিকি উঠিল। লাহে লাহে তেতিয়াৰ পৰা নাটকত গ্ৰাম্যভাবৰ ডাৱৰে ঢাকি ধৰিলে। নীতিৰ জ্যোতি নিষ্প্ৰভ হল। কাল্পনিক এৰিষ্টটলৰ কটকটীয়া বান্ধোনত নাটক বিলাক কিবা নিৰস হৈ পৰিল। অভিনয় এক কুচ-কাৱাজত পৰিণত হল। কোনো কোনো নাট্যকাৰে অভিনয় সিমান পৰ হয় সিমান পৰৰ ঘটনাৰে নাটক লিখি স্বাভাবিকতাৰ বৰাই কৰিবলৈ লাগিল, সিবিলাকে পাহৰি গল-অভিনয় যে এক জীৱন্ত সপোন, তাৰ কালৰ ব্যৱধান ঘড়িৰ কাঁটাৰে জুখিব নোৱাৰি; আৰু কোনো কোনোৱে বা স্থানৰ ঐক্য ৰাখিবলৈ গৈ নায়কক স্থানান্তৰলৈ নিব নোৱাৰি বিভিন্ন স্থানকে নায়কৰ ওচৰলৈ আনি নাটকৰ জুতি একে বাৰেই কিবা কেনেবা কৰি পেলালে। তথাপিতো মাজে মাজে ফ্ৰান্সৰ কমিডিৰ জাতীয় ভাব জিলিকি পৰাত সি গোটেই য়ুৰোপৰ সুৱাগী হৈয়ে থাকিল। বৰ্ত্তমান শতিকাৰ 'ভিনিয়ি' 'চন্দে' 'মুইচেই' আদি কৃতী নাট্যকাৰ সকলে ফ্ৰান্স নাটকৰ জেউতি দিনক দিনে চৰাই যাবলৈ ধৰিছে। জাতিত বেলজিয়াম যদিও 'মৰিচ সেটাৰলিঙ্কে' ফ্ৰেঞ্চত নাটক লিখিয়ে জগতৰ জয়মাল্য 'নবেল' প্ৰাইজ অৰ্জ্জন কৰিছিল।

ষোড়শ শতিকাৰ মধ্যভাগত স্পেইন দেশত 'মণ্টেইমেয়ৰ' আৰু 'থৈৰভানটেইচে' প্ৰথমে অভিনয়ৰ উপযোগী নাটক কৰাৰ লগে লগেই এশ জালুকৰ আগ এক 'লপ ডেই ভেইগা'ই অকলে প্ৰায় বোলে দুহেজাৰ নাটক লিখি স্পেইনৰ নাট্য সাহিত্য অশেষ সমৃদ্ধিশালী কৰি তুলিলে। এওঁৰ পাচৰ 'কেলডেইৰেণৰ' দিনত নাটকে এক অতুলনীয় প্ৰতিপত্তি লাভ কৰি মহাভাগৰত যেন এশ বছৰলৈ নিমাত হল। উনবিংশ শতিকাৰ শেহ ভাগত আকৌ 'একেগেৰে'ই হাত দি নাটকৰ জাগৰণ কৰে।

এচিয়াৰ পশ্চিম প্ৰান্তৰ পাৰস্য আৰু আৰবৰ দৰে য়ুৰোপৰ পশ্চিম প্ৰান্তৰ পৰ্টুগেলতো কিয় যে নাট্য লীলাৰ প্ৰতিপত্তি নহল ভাবিলে আচৰিত হব লাগে। 'ভিচেটেই' নামৰ এজনে যিবা নাটকত হাত দিছিল তাকো লিখিলে স্পেনিচ ভাষাত। গতিকে পৰ্টুগীজ নাট্যলীলা এতিয়ালৈকে নিমাতেই বল।

সপ্তদশ শতিকাৰ আদিতে য়ুৰোপৰ কুলীন আদৰ্শ লৈ হলেণ্ডত 'কষ্টাৰ' প্ৰমুখ্যে নাট্যকাৰে ট্ৰেজেডিৰ আৰম্ভ কৰে। তাৰ পাচতে আৰু এজন শ্ৰেষ্ঠ কবি 'ভণ্ডেল'ৰ দিনত হলেণ্ডৰ নাট্য সাহিত্য বহুত ওপৰলৈ উঠে।

এই যুগতে স্কেনডেনেভিয়াৰ 'হলবেৰ্ক' 'ইপচেন' আদি বিখ্যাত নাট্যকাৰ সকলে সেই দেশৰ নাট্যলীলাৰ ভালেখিনি উন্নতি কৰি থৈ যায়।

উনবিংশ শতিকাৰ আৰম্ভণত ৰুচিয়াতো 'আলেক-জেণ্ডাৰ পুচকিনে' ফ্ৰান্স আৰু ইংলণ্ডৰ পৰা অগ্নি শিখা নি যি নাট্যলীলাৰ প্ৰদীপ জলাই দিলে সিয়ে চামে চামে প্ৰতিভাশালী পুৰুষৰ যতন পাই আজি জিলিকি জগতজুৰি পোহৰ দিব পৰা হৈছে।

জাৰ্ম্মানীৰ নাট্যলীলাৰ আৰম্ভণ অষ্টাদশ শতিকাৰ শেহভাগত। প্ৰথমেই ফ্ৰান্স নাটকৰ অনুবাদ চলিছিল। ফ্ৰান্সৰ প্ৰভাৱ গুচায় প্ৰথম 'লেচিঙ্গে'। এওঁৰ পাচত 'চিলাৰ' 'গাটে' 'স্লেইজেল' জগদ্বিখ্যাত 'হাউপ্টমান' আৰু 'হায়েচ'ৰ অক্লান্ত চেষ্টা আৰু আচৰিত প্ৰতিভাৰ বলত জাৰ্ম্মান নাট্য সাহিত্য আজি জগতৰ এটি চৰ্চ্চা কৰিব লগীয়া বিষয় হৈ পৰিছে।

দ্বাদশ শতিকাৰ পৰা ষোড়শ শতিকাৰ আগলৈকে ইংলণ্ডত 'মৰেলিটি প্লে' চলিছিল। সেই যুগত ইংলণ্ডৰ নিজৰ বুলিবলৈ দুই চাৰিখনি নাটক যে নাছিল এনে নহয়। 'কৈৰেক্স এণ্ড পেৰেক্স' নামৰ যিখনি ট্ৰেজেডি আৰু 'গেমাৰ গৰটন্স নিডোল' নামৰ যিখনি কমিডিৰ নাম শুনা যায় এই দুয়োখনি ইংলণ্ডৰ নিজস্ব। ইয়াৰ পাচতে ষোড়শ শতিকাৰ প্ৰায় চল্লিশ বছৰলৈকে ইংলণ্ডৰ যুগ। এই যুগতে ইংৰাজ জাতিৰ প্ৰতিভা শতমুখে ববলৈ ধৰিলে। নাট্যজগততো ইংৰাজৰ প্ৰতিভা জিলিকি উঠিল। মাৰ্ল, গ্ৰীণ, পীল, লজ, বমাণ্ট, ফ্লেচাৰ আদি

কেবাজনো নাট্যকাৰ একে জাউৰতে উজলি পৰিল। সবাতোকৈ জিলিকিল এই নক্ষত্ৰ পুঞ্জৰ চেক্সপিয়েৰ। এই মহাকবিৰ নাটক বিলাকত যদিও 'হৰেচ'ৰ পঞ্চাঙ্ক বিধান আৰু গ্ৰীক ৰমান আদি জাতিৰ ইতিবৃত্তাদিৰ সন্ধান পোৱা যায়, তথাপিতো নাটকৰ মাজে জাতীয়ভাব ফুটোৱা আৰু মানৱ চৰিত্ৰ এনে পৰিপাটিকৈ অঙ্কন কৰিব পৰা বিষয়ত তেওঁৰ যি অতুলন প্ৰতিভা তালৈ চালে এই যুগৰ জয়মাল্যৰ উপযুক্ত একমাত্ৰ তেওঁ। এইজন্য নাট্যকাৰেই ইংৰাজ্যৰ নাট্যসাহিত্যক সেই যুগৰ শেষ শিখৰত তুলি দি গ'ল। তাৰ পাচত 'বমাণ্ট' আৰু 'ফ্লেচাৰ'ৰ দিনৰ পৰা লীলাৰ ঢৌ তলমুখে নামিবলৈ আৰম্ভ কৰিলে। ইয়াৰ পিচতে 'পিউৰিটান' শুচি-বায়ু প্ৰবল বেগেৰে বিপৰীত ফালৰপৰা ববলৈ ধৰাত লীলাৰ প্ৰবাহ থমকি তেৰ বছৰ বিয়াপি মৌন হব লগাত পৰিল। ভেটা ভঙ্গা সোঁত অবাটে যোৱা দি এই তেৰ বছৰৰ অন্তত ইংৰাজী নাট্যলীলাই অতি সাধাৰণ 'কামশক্তিৰ' বাটে দি যাবলৈ ধৰিলে। ৰাণী এনৰ দিনৰ চেষ্টা, আৰু 'এডিচন' 'গল্ডস্মিথ' 'শ্বেলি' 'কলেবিজ্' 'ৱৰ্ডস্ৱৰ্থ' প্ৰভৃতি প্ৰতিভা-শালীৰ প্ৰবল উদ্যমতো এই 'কামশক্তি'ৰ প্ৰভাৱ একেবাৰে মৰিমূৰ নহ'ল। দিনক দিনে সাধাৰণ ৰঙ্গৰহস্যৰ আৰু ইন্দ্ৰিয় সুখৰ উপাদেয় নাটকেৰে 'ড্ৰুৰিলেইন' আৰু 'কভেণ্ট গাৰ্ডেন' নামৰ ৰঙ্গালয় ৰজন্ জনাবলৈ লাগিল। শেহত 'চেঞ্চৰ' প্ৰতিষ্ঠা কৰি আইন জাৰি হব লগীয়া হ'ল—কোনো বিশ্ববিদ্যালয়ৰ চৌধ্য মাইলৰ ভিতৰত 'চেঞ্চেলৰ'ৰ বিনা অনুমতিত কোনো অভিনয়কে পাতিব নোৱাৰিব।" তাতো নোহোৱাত এই দুখনি ৰঙ্গালয় একেবাৰে বন্ধ কৰি দিলে,—আৰু তেতিয়াৰে পৰা ইংলণ্ডৰ নাটকত আকৌ এক নতুন যুগৰ প্ৰবৰ্ত্তন হবলৈ ধৰিলে। 'টম টেইলৰ' আৰু 'বুচেক'ই পৰিমাৰ্জ্জিত জুতিৰে যি নাটকৰ আৰম্ভণ কৰিলে সেয়ে আৰ্ডিঙ্গৰ দিনত শ্ৰেষ্ঠ সমাজৰো উপভোগৰ বস্তু হৈ পৰিল। ইয়াৰ মাজে মাজে 'ফ্ৰেঞ্চ' প্ৰলোভনলৈ জিৰা মেলিছিল যদিও 'চেচিল', 'ৰেলে', 'পিনাৰ', আৰু 'বাৰ্ণাৰ্ড শ্ব' আদি প্ৰখ্যাত নাট্যকাৰ সকলৰ অসীম যত্নত ইংৰাজৰ নাট্যলীলা কলুষিত হবলৈ নেপালে। ইংৰাজী নাটকৰ পৰা লাহে লাহে কবিতাৰ আৰু আধ্যাত্মিকতাৰ মায়া আতৰি গল। মায়াৰ লগে লগে জুতিও যে গল তাকো কব নোৱাৰি; কিয়নো—আজিও ইংলণ্ডত নতুন সাজেৰে কুলীন নাটকৰ বেছ প্ৰচলন, আৰু বিশেষকৈ 'মেটাৰলিঙ্কৰ' 'ব্লু বাৰ্ড'ৰ দৰে আধ্যাত্মিক নাটকৰ অনুবাদৰ যথেষ্ট আদৰ দেখা যায়।

এই যুগৰ য়ুৰোপীয় নাটকবিলাকৰ আৰু বৌদ্ধযুগৰ ভাৰতীয় নাটকৰ কোনো কোনো বিষয়ত ভালেখিনি সাদৃশ্য আছে। বিশেষকৈ মহাকবি চেক্সপিয়েৰ আদিৰ যিবিলাক ইংৰাজী নাটকে এক নতুন প্ৰেৰণাৰে যুগান্তৰ আনিছে সেইবিলাকৰ লগত সাদৃশ্য আৰু বেছি। আলেগজেণ্ডাৰৰ অভিযানৰ পাছৰ নাটকত 'হৰেচ'ৰ পঞ্চাঙ্ক সম্বন্ধে যি বিধান তাত নাট্যশাস্ত্ৰৰ পঞ্চ অৱস্থা বা সন্ধিৰ পৰিষ্কাৰ আভাস, গদ্যৰ মাজে মাজে পদ্যৰ ব্যৱহাৰ, শ্লেষা প্ৰয়োগৰ কৌশল, দ্ব্যৰ্থক শব্দ লৈ ৰঙ্গ-ৰহস্য, পত্ৰ-লিখন, চিত্ৰ-প্ৰদৰ্শন, অভিনয়ৰ মাজতে আৰু অভিনয়ৰ প্ৰযোজনা, অনৈসৰ্গিক ঘটনাৰ সমাবেশ, ছায়ামূৰ্ত্তিৰ অভিনয়, বিদূষকৰ হাস্যৰস, হাস্যৰসৰ নিমিত্তে উন্মত্তৰ ভান ইত্যাদি অনেক খিনি কথাত গলাগলি দেখা যায়। তিৰোতাই মতাৰ ছদ্মবেশ ধৰা কথা ভাৰতীয় নাটকত বৰকৈ পাবলৈ নাই যদিও মতাই তিৰোতাৰ বেশ ধৰা কথা আছে। ঠায়ে ঠায়ে ইতিবৃত্তৰ মিলো পাবলৈ আছে। মহাকবি ভৱভূতিৰ মালতীমাধৱ নামৰ নাটকখনিক বহুতে ভাৰতৰ মিলনান্তক 'ৰমিও জুলিয়েট' বোলে। অকল মালতী মাধৱেই নহয়, ভাস কবিৰ অবিমাৰক নামৰ নাটকৰ অলপমান আৰু মালতীমাধৱৰ আগ ছোৱা লৈ শেহৰ ছোৱা এৰি দিলেই সঁচাসচিকৈ চেক্সপিয়েৰৰ 'ৰমিও জুলিয়েট' হৈ পৰে। মালতীমাধৱৰ দেৱৰাত আৰু ভূৰিবসুৰ সহৃদয়তা থকা স্বত্বেও ৰাজক্ষমতাৰ প্ৰভাৱত জীয়েক পুতেকৰ বিবাহসূত্ৰে পৰস্পৰ আলিঙ্গন কৰিব নোৱাৰা অৱস্থা, আৰু 'ৰমিও-জুলিয়েট'ৰ পিতাক দুজনৰ ৰাজকীয় ক্ষমতা আদিৰ ঈৰ্ষাত পৰস্পৰে আপোন হৈও সাৱটিব নোৱাৰা অৱস্থা দেখাত অলপ বেলেগ হলেও ভাবত প্ৰায় এক। কুৰঙ্গীক প্ৰথম দেখিয়েই অবিমাৰক

বিষ্ণুসেনৰ প্ৰেম সঞ্চাৰ হোৱা দি 'ৰমিও'ৰ প্ৰেম সঞ্চাৰ হৈছিল। নিজক গোপন কৰি প্ৰেমিকাৰ মনৰ ভাব বিষ্ণুসেনে জনা দি 'ৰমিও'ইও জানিছিল। তাৰ পাচতেই জাতি অৱস্থা সম্বন্ধে বিয়া কৰাব পৰা নোৱাৰাৰ বিষ্ণুসেনৰ যি আশঙ্কা অলপ অইন ধৰণৰ হলেও 'ৰমিও'ৰ সেই একেই আশঙ্কা। গোপনে ৰাতি বিষ্ণুসেনে জৰীৰে কুৰঙ্গীৰ কুন্দ্ৰাক্ষই সোমাই যোৱা দি ৰমিও'ই জুলিয়েটৰ কোঠালৈ গৈছিল। সেই ৰাতি বিষ্ণুসেন 'ৰমিও'ৰ দৰে ওলাই নাহি হিয়াত থকা দি গোপনে কুৰঙ্গীৰ কোঠাতে থাকিল। তাৰ পাচত মালতীমাধৱৰ বৌদ্ধ সন্ন্যাসিনী কামন্দকীৰ, আৰু 'ৰমিও' জুলিয়েট মঠাধ্যক্ষ 'ফ্ৰায়ৰে লোৱাৰেঞ্চ'ৰ প্ৰেমিক প্ৰেমিকা দুটিৰ মিলনৰ অৰ্থে যি সজ ইচ্ছা আৰু চেষ্টা সি প্ৰায় একেই। মালতীক বিয়া দিব খোজা নন্দনৰ চৰিত্ৰতকৈ কুৰঙ্গীক বিয়া দিব খোজা জয়বৰ্ম্মাৰ চৰিত্ৰেৰে 'জুলিয়েটক বিয়া দিব খোজা 'কাউণ্ট পেৰিচৰ' চৰিত্ৰ মিলি যায়। মালতীক বিয়া দিবলৈ স্থিৰ কৰা নন্দনৰ ভনীয়েক সদয়ন্তিকা আৰু মকৰন্দৰ এনেতে এটি দুৰ্ঘটনা হৈ গ'ল। 'জুলিয়েট'ৰ ভাগীৰ ককায়েক টাইবল্টৰ তাতোকৈ সাংঘাতিক ঘটনা ঘটিল। এই দুৰ্ঘটনাৰ পাচতে মাধৱে মালতীক পোৱাৰ আশা এৰি দিব লগীয়া হ'ল, আৰু 'ৰমিও'ৰো জুলিয়েটৰ আশাত বজ্ৰপাত হ'ল। 'জুলিয়েট'ৰ ওচৰৰ পৰা নামি আহোতে অকস্মাৎ জুলিয়েটে দেখিলে 'ৰমিও' যেন কবৰলৈ হে নামি গৈছে; মালতীৰ কাষৰ পৰা আহোতে মালতীয়েও সেই-দৰে মাধৱৰ শেষ দেখাৰ দৰে দেখিলে। তাৰ পাচত প্ৰাণৰ ধিক্কাৰত মাধৱ শ্মশানবাসিনী মহাকালীৰ মন্দিৰলৈ গ'ল। 'ৰমিও'ও ঘূৰি পকি কেপুলেটৰ পাৰিবাৰিক কবৰ-ঘৰ বা মৈদাম ওলালহি। তালৈ আহি 'ৰমিও'ই দেখিলে তেওঁৰ পৰা 'জুলিয়েট'ক চিৰজনমলৈ পৃথক কৰিব খোজা 'কাউণ্ট্ পেৰিচ'; আৰু মাধৱে গৈ দেখিলে—তেওঁৰ পৰা সেইজনমলৈ মালতীক আতৰাব খোজা খড়্গহস্ত কাপালিক অঘোৰঘণ্ট। 'ৰমিও'ই 'কাউণ্ট পেৰিচ'ক হত্যা কৰাদি মাধৱেও কাপালিকক হত্যা কৰিলে। ভূৰিবসুৰ মানুহে এনেতে মালতীক বিচাৰি হুৱা-দুৱা লগালে; ইফালে 'হেৰনা'তো কেপুলেট আৰু মণ্টেগ পৰিবাৰৰ মানুহৰ ভিতৰত হুৱা-দুৱা। 'ফ্ৰায়াৰ লোৱাৰেঞ্চ'ৰ আচল উদ্দেশ্য বুজিব নোৱাৰি 'ৰমিও'ই 'জুলিয়েট' মৰিল বুলি হা-হুতাহত আত্মহত্যা কৰিলে, আৰু জুলিয়েটে জ্ঞান পাই 'ৰমিও' মৰা দেখি কাষতে পৰি 'ৰমিও'ৰ ওঠৰ বিৰিঙ্গি থকা বিষ চেলেকি চেলেকি হেপাহ নপলোৱাত অন্তত নিজৰ প্ৰাণ নিজে সংহাৰ কৰিলে! কবৰৰ হৃদিবিদাৰক মৃত্যুৰ লগে লগে 'ৰমিও' 'জুলিয়েটৰ' হিয়াভৰা প্ৰেমৰ এই কৰুণ কাহিনীৰ যবনিকা পৰিল। এই জীৱনকে জীৱনসৰ্ব্বস্ব বোলা ইংলণ্ডৰ সাধনাৰে খাপ খুৱাবলৈ গৈ চেক্সপিয়েৰ যলৈকে যাব পাৰে তলৈকে গ'ল—আৰু আগুৱাব নোৱাৰিলে। ভাৰতৰ সাধনা, তপস্যা, আৰু অন্তদৃষ্টিৰ পোহৰত ভাৰতীয় নাট্যকাৰে আত্মহত্যাতে এনে গভীৰ প্ৰেমৰ শেষ নকৰি মঙ্গলময় ৰাজ্যৰ মধু-মিলনৰ মুকলিৰ সুৰে সুৰে আৰু দুৰ্যোগ আৰু অন্তৰায়ৰ মাজেদি মনৰ বল দেখুৱাই মালতী মাধৱক ভাৰতৰ তপস্যা কুঞ্জলৈ লৈ গল, আৰু তাত কামন্দকীৰ শিষ্যা সৌদামিনীৰ তপস্যা শীতল ছায়াত এই মধুৰ প্ৰেমৰ ছবি দুটিক চিৰমিলনৰ চিৰসুখ লাভ কৰিবলৈ দিলে। কুৰঙ্গীৰ বিৰহত প্ৰেমৰ অনন্ত মূৰ্ত্তি অবিসাৰকে প্ৰাণৰ হুতাহত অলা জুইত সোমাই চেঁচনি বিচাৰিছিল—জুই নুমাই গ'ল। প্ৰেম অদাহ্য, প্ৰেম অছেদ্য, অভেদ্য! শেহত তপস্যাৰ কুঞ্জত বিদ্যাধৰ মেঘনাদৰ আউঠি যেন পবিত্ৰ জ্ঞান পাই অবিমাৰক ঘূৰি আহিল, আৰু সেই আউঠি-জ্ঞান ধাৰণা কৰি বহিৰ্জগতৰ অগোচৰত অন্তৰৰ মিলন কুঞ্জত দিনে দিনে প্ৰেমিকাৰ পৰশ সুখ অনুভৱ কৰিবলৈ লাগিল। এয়ে প্ৰেমৰ অনন্ত জীৱন। মৃত্যুৰ যবনিকা উঠি গ'ল। স্বৰ্গ, মৰ্ত্ত্য জুৰি সকলো কাল, সকলো ব্যৱধান তুচ্ছ কৰি নিয়তিৰ দুনিবাৰ গতিৰ বিপক্ষে থিয় হৈ ভাৰতীয় নাটক প্ৰেমৰ চিৰজয় ঘোষণা কৰিলে। 'ইস্কিলচ'ৰ দৰে 'চেক্সপিয়েৰে' বিশ্ব মহাকাব্যৰ এটি অংশ লৈ তাতে জীৱ দি বৰ্ণনা কৰিলে, বিশ্বৰ যি নৈতিক উদ্দেশ্য তালৈ কাৰো চকু নপৰিল। দৰ্শকৰ মনত যি আকুলতা জাগিল তাৰ একো সমাধান নহল। এক হাৰভঙ্গা হুমুনিয়াহেৰে দৰ্শক ঘৰাঘৰি গুচি

গ'ল। এই হিয়া-ভৰা প্ৰেমৰ পৰিণাম তেনে আত্মহত্যা? প্ৰেম তেনে এক দুৰাৰোগ্য ৰোগ যাৰ একমাত্ৰ চিকিৎসা, একমাত্ৰ শান্তি—এনে হৃদিবিদাৰক মৃত্যু? কৰ্ডেলিয়াৰ পবিত্ৰ পিতৃভক্তিৰ শেষ তেনে এক শান্তিহীন দীৰ্ঘনিশ্বাস? ঈশ্বৰ প্ৰেমময় ভক্তিৰ আধাৰ নহয় নে কি? তেনে এই-খন কাৰ সৃষ্টি, পিশাচৰ নে দেৱতাৰ? ভাৰতৰ নাটকে এনে প্ৰেম এনে ভক্তিৰ এই পৰিণাম হবলৈ নিদিয়ে, দিব নোৱাৰে। জন্মজন্মান্তৰৰ ৰহস্য উদ্ঘাটন কৰি আৱশ্যক হলে মৃত্যুৰ সিপাৰে দিও, বিজয় দুন্দুভিৰে ঘোষণা কৰিব—পবিত্ৰ প্ৰেমৰ, গভীৰ প্ৰেমৰ চিৰ পৰিণাম-অনন্তজীৱন, প্ৰেমিক প্ৰেমিকাৰ চিৰশান্তি। দৰ্শকৰ ভিতৰত যি বিৰহী, যি বিৰহিনী আছিল সিবিলাকৰ শত অশ্ৰুবৰিষণৰ মাজে আশা আলোকৰ ৰেখা এটি জিলিকি উঠিল, অভিনৱ উৎসাহত প্ৰেমিকৰ হৃদয় ফুলি গ'ল, সকলোৰে যি আকুলতা তালৈ এটি তৃপ্তি আহিল। পৰ্ব্বতশিখৰ পাই তৃপ্তিৰ চকুৰে তললৈ উলটি চাই আৰোহীয়ে যেনেকৈ তাৰ সকলো দুখ, সকলো ভাগৰত হাঁহি দিয়ে, সেই দৰে প্ৰেমিক প্ৰেমিকাৰ মধুমিলনৰ মনোৰম দৃশ্যত পথৰ সকলো কণ্টক সকলো হাহাকাৰ মধুময় হৈ গল। অভিনয় আনন্দময় হ'ল, ভাৰতৰ নাটক সাৰ্থক হ'ল। ইয়াৰ পাচত দৰ্শকৰ মন পাতলাবলৈ আৰু প্ৰহসনৰ আৱশ্যক নকৰিলে। এইখিনিতে ভাৰতৰ আৰু য়ুৰোপৰ হাস্যেতৰ ৰসাত্মক নাটকৰ পাৰ্থক্য। কোনো কোনো এনে 'ট্ৰেজেডি'ত তাৎকালিক নীতি বা নীতিৰ অস্থায়ীভাব যে একেবাৰেই ফুটা নাই তাকো কব নোৱাৰি; কিন্তু জগতৰ কাৰ্য্যকাৰণ প্ৰবাহত সেই সেই ঘটনাৰ যিটি শেষ নীতি আছে তাৰ আভাস সমূলি নুফুটিল। সীতাহৰণ নাটকত—স্ত্ৰীজাতিৰ অতি প্ৰবল অনুভূতি আৰু হৃদয়ৰ দৌৰ্ব্বল্যই কেনেকৈ মাজে মাজে নজনা বিপদ মাতি আনি সোণৰ সংসাৰত হাহাকাৰ তোলে—তাৰ এটি তাৎকালিক নীতিৰ সুন্দৰ আভাস পোৱা যায়। সেইবুলি সীতা চৰিত্ৰৰ সেইখিনি ইয়াত নাই যিখিনি থকাৰ কাৰণে সীতা চিৰদিনলৈ দেৱী হৈ যুগেযুগে জগতৰ অগণন প্ৰাণীৰ প্ৰাণত শান্তি দান কৰিছে। 'ৰমিও'জুলিয়েটৰ' আত্মহত্যাত 'কেপুলেট' আৰু 'মণ্টেগ'ৰ অস্বাভাবিক বিৰোধভাবৰ উপশমস্বৰূপ আকস্মিক নীতি এটি অন্ধ নিয়তিৰ নিয়োগত দেখা যায়, কিন্তু সেই নাটকত প্ৰেমিক প্ৰেমিকাৰ মধুমিলনৰ গন্ধ নথকাত প্ৰেমৰ ফালৰপৰা চালে কাব্যৰ এক অংশৰ দৰে সি অসম্পূৰ্ণ যেন লাগে। মানিব লাগিব চেক্সপিয়েৰৰ চৰিত্ৰ অঙ্কনৰ কৌশল অতি অসাধাৰণ, তথাপি ভাৰতীয় নাটকেৰে বিজাবলৈ গলে ইয়াকো নকৈ নোৱাৰি—চেক্সপিয়েৰৰ নাটক যেন ইংলণ্ডৰ দেৱদাৰুৰ এখনি ছবি—প্ৰকৃতিৰ কোলাৰ পৰা আনি আচৰিত কাৰিকৰিৰে আতৰত অকলশৰে হুবহুকৈ দেখুওৱাইছে, আৰু ভাৰতৰ নাটক যেন ভাৰতীয় দেৱদাৰুৰ অইন এখনি ছবি—প্ৰকৃতিৰ কোলাত দেখিলে চিনিব পৰাকৈ আঁকি তাৰ পাচফালে, আৰু আশেপাশে বীজ বৃদ্ধি পৰিণামৰ এক সুন্দৰ আভাস দিছে—দূৰত হিমালয়ৰ তপস্যা কাননৰ সুৰুঙ্গাই আকাশ আৰু পৃথিৱী মিলি যোৱা চক্ৰবাল ৰেখা ৰিণিকি ৰিণিকি জিলিকিব লাগিছে।

কেনি, কোন বাটেদি বৌদ্ধ যুগৰ নাটকৰ আলোক য়ুৰোপৰ নাটকত, বিশেষকৈ চেক্সপিয়েৰত প্ৰতিফলিত হল তাক পদে প্ৰমাণে বুজাই দিয়া বৰ সহজ নহয়। কব পাৰি, যি বাটেদি ভাৰতৰ সকলো সাধনা, সকলো পণ্য গৈ এদিন য়ুৰোপ ছাটি ধৰিছিল সেই ৰাধাপটি বাট পৰিয়েই আছে। এই যুগৰ প্ৰায় দেড় হাজাৰ বছৰৰ আগৰ পৰা পাতলাই আৰু যুগ আৰম্ভণৰ তিনি চাৰি শ বছৰৰ পৰা ঘনাই ভাৰত আৰু য়ুৰোপৰ মাজত আয়াযাত চলিছিল বুলি সকলো দেশৰ ইতিহাসে একেসুৰতে কবই লাগিছে। চেক্সপিয়েৰৰ মৃত্যুৰ ষোল সোতৰ বছৰৰ আগেয়ে ভাৰতবৰ্ষত বাণিজ্য কৰিবলৈ আন নেলাগে ইংলণ্ডৰ ইষ্ট ইণ্ডিয়া কম্পেনিও গঠিত হৈছিল। কেনেকৈ ভাৰতৰ গঁড় বা 'ৰাইণ' চেৰচ গৈ সম্ভৱতঃ 'আইনকৰ' হৈ হৈ শেহত সিংহৰ নেগুৰেৰে এশিঙীয়া ঘোৰা বা 'ইউনিকৰ্ণ' হৈ ইংলণ্ডৰ ৰাজকীয় মুদ্ৰাত আজিও জিলিকিছে এই কথা ভাবিবলৈ ললে আচৰিত হব লাগে! কিন্তু সি যে ভাৰতৰ গঁড়ৰে আভাশ ই নিশ্চয় বুলি ইংৰাজ

লিখক জনদিয়েকেও স্বীকাৰ কৰিছে। যি বাটেদি 'প্লটাচ'ৰ অবিকল 'মেনেইচ্‌মি' গৈ চেক্সপিয়েৰৰ 'কমিডি অব এৰৰস্' হৈছিল, 'অৰিষ্টৰ' আভাস 'টেইমিং অব ডি স্ক্ৰত ঠাই পাইছিল, হলবেৰ্কৰ মাতালৰ দৃশ্য গৈ সেই নাটকৰে পাতনি জুৰিছিল ; যি বাটে দি বিদভ জাতকৰ গল্প গৈ 'চচাৰৰ' 'পাৰ্ডনাৰ্স টেইল'ত সোমাই পৰিছিল আৰু সেই জাতকৰে সোণৰ তিনি চন্দুক গৈ চেক্সপিয়েৰৰ 'মাৰ্চ্চেণ্ট অব হ্বেনিচ'ত ভুমুকি মাৰিছিল, সেই বাটেদি এই জনানন্দকৰ আলোক নাই যোৱা বোলাটো একেবাৰেই অস্বাভাবিক। চেক্সপিয়েৰৰ পঢ়া শুনা নাছিল যদিও দেশ বিদেশৰ পৰিব্ৰাজকৰ পৰা কিমান কাহিনী শুনিছিল, আৰু শুনিবলৈ কিমান সুবিধা পাইছিল তাক কবিৰ জীৱনী লিখক প্ৰতিজনেই উল্লেখ কৰিছে। গতিকে চেক্সপিয়েৰে ভাৰতৰ বৌদ্ধযুগৰ নাটকৰ অলপো আভাস পোৱা নাই বুলিলে যুক্তিযুক্ত নহব।

বৌদ্ধযুগৰ অৱসানৰ লগে লগে মানুহ সহজে সংকীৰ্ণ হৈ যোৱা প্ৰবৃত্তিৰ বলতে হওক, বা অইন কোনো ৰাষ্ট্ৰীয় পৰিবৰ্ত্তনৰ প্ৰতাপতে হওক জগতৰ একোটি মহাজাতি ভাগি একো একোটি ক্ষুদ্ৰ জাতি হল, আৰু বৌদ্ধ সকলে সূত্ৰপাত কৰি যোৱাৰ বাটে বাটে একোটি বিৰাট কুলীন ভাষা ভাগি ছিগি বহু প্ৰাদেশিক ভাষাই গঢ় লবলৈ ধৰিলে। য়ুৰোপৰ লেটিন ভাষাৰ পৰা ফ্ৰেঞ্চ, ইটালীয়ান আদি ভাষা পৃথক হৈ পৰিল। আৰু সেই দৰেই সংস্কৃত ভাষা লৈও ভাৰতৰ ভাগ-বটৰা হৈ গ'ল। এই বৰ্ত্তমান যুগৰ আদিতে ভাৰত জুৰি যি ধৰ্ম্মৰ জাগৰণ আহিছিল তাক প্ৰাদেশিক ভাষাৰ জৰিয়তে জন সাধাৰণৰ মনত ছাৱ দিবলৈ ভাৰতৰ চাৰিও দিশে প্ৰবল চেষ্টা চলিবলৈ ধৰিলে। ৰামানন্দ, কবীৰ, তুলসী দাস আৰু সুৰদাস আদিৰ প্ৰাণৰ চেষ্টাত হিন্দী ভাষা,নানকৰ চেষ্টাত পাঞ্জাবী ভাষা, শঙ্কৰ আৰু মাধৱৰ চেষ্টাত অসমীয়া ভাষা, আৰু চৈতন্যদেৱৰ প্ৰচাৰৰ চেষ্টাত বঙ্গভাষাই উত্তৰ ভাৰতত মূৰ তুলি উঠিল। 'আৰ্লি হিষ্টৰি অব কামৰূপ' প্ৰণেতা ৰায় বাহাদুৰ বৰুৱা ডাঙ্গৰীয়াই ডাঠি প্ৰমাণ কৰি যোৱামতে মিথিলাৰ এক অংশ ভিতৰ কৰি খৃষ্টিয় অষ্টম শতিকালৈকে বঙ্গদেশ গোটেই খনি প্ৰাচীন কামৰূপ ৰাজ্যৰ ভিতৰতে আছিল বুলি জানিব পাৰি। সেইকালৰ পুৰণি কামৰূপী ভাষা মিথিলাৰে পূব অঞ্চলত চলা এবিধ ভাষা আছিল, আৰু তাৰে মধ্য ভাৰতৰ ভাষাৰ লগত প্ৰায়ে মিল আছিল বুলি সেই লিখকেই 'হিউয়েন চাঙ'ৰ যুক্তিৰে দেখুৱাইছে। সম্ভৱতঃ ই আছিল কথিত আৰু সাধাৰণ লিখিত ভাষা। উচ্চ সাহিত্য বুলিলে তেতিয়াও সংস্কৃতকে বুজাইছিল। সপ্তম শতিকাৰ শেহ ভাগৰ নাট্য জগতৰ যুগ-প্ৰবৰ্ত্তক মুদ্ৰাৰাক্ষস প্ৰণেতা কবি বিশাখ দত্ত এজন কামৰূপী ব্ৰাহ্মণ। এওঁৰ পিতাকৰ নাম পৃথু আৰু ককাকৰ নাম বাতেশ্বৰ দত্ত। এই কবিয়ে কামৰূপাধিপতি প্ৰবল প্ৰতাপী অৱন্তি বৰ্ম্মণৰ দিনত নাট্য জগতলৈ ৰাজনীতি আনি এক নতুন সুঁতি বোৱাই দি গল। এওঁৰ পাচৰে মহাকবি ভৱভূতিৰ জন্মস্থান এক্‌লেখেৰে পচিমে অযোধ্যা আৰু দক্ষিণে দক্ষিণ মদ্ৰলৈকে বিয়পি থকা কামৰূপাধিপতি শ্ৰীহৰ্ষদেৱৰ বিশাল কামৰূপ ৰাজ্যৰ ভিতৰতে পৰিছিল নে নাই তাক সঠিক কৈ কব নোৱাৰি। এই মহাকবি ভাৰত বিখ্যাত মীমাংসক কামৰূপৰ কুমাৰিলৰ শিষ্য, আৰু শ্ৰীহৰ্ষদেৱৰ পৰা জয় কৰি লোৱা কামৰূপৰ পশ্চিম ভাগৰ প্ৰতাপী ৰজা যশোবৰ্ম্মণৰ ৰাজকবি। যদিও এওঁক জনা খিনিত বিদৰ্ভৰ ব্ৰাহ্মণ বুলিয়েই জনা যায় তথাপি এই মহাকবিৰ ওপৰত প্ৰাচীন কামৰূপৰ যথেষ্ট অধিকাৰ যে আছে তাক অস্বীকাৰ কৰিবৰ উপায় নাই। কোনো কোনোৱে বেণী সংহাৰৰ নাট্যকাৰ ভট্টনাৰায়ণ কবিক অষ্টম শতিকাৰ মাজলৈ আনে। এই কবিয়ে ৰাজকীয় উৎসাহৰ অভাৱ উল্লেখ কৰি বেণী সংহাৰত যি হতাশৰ বাণী লিখি থৈ গৈছে তালৈ চাই কণৌজৰ অন্তৰ্গত মিথিলাৰ নুবুলি প্ৰাচীন কামৰূপৰ অন্তৰ্গত মিথিলাৰ বুলিলে হে বেচি খাপ খাব যেন লাগে ; কিয়নো, অষ্টম শতিকাৰ মাজছোৱালৈ শ্ৰীহৰ্ষদেৱৰ পৰাজয়ৰ পাচত প্ৰাচীন কামৰূপৰ পশ্চিম ভাগত প্ৰায় ত্ৰিশ চল্লিশ বছৰ বিয়াপি এক ৰকম অৰাজকতাই আছিল। কনৌজৰ হোৱা হলে প্ৰতাপী ৰজা যশোবৰ্ম্মন বা কাশ্মীৰৰ দিগ্বিজয়ী ললিতাদিত্যৰ দিনতো বেণী সংহাৰৰ দৰে নাটকৰ নাট্যকাৰলৈ

তেনে একোজন ৰাজপুৰুষৰ বেথা নেলাগি নোৱাৰিলে হেতেন। ইয়াৰ পিছত আৰু কত কামৰূপৰ নাট্যকাৰে সংস্কৃত নাটকৰ জেউতি চৰাইছিল তাৰ বাতৰি আজিও আবিষ্কাৰ হোৱা নাই। অষ্টম শতিকাৰ নাট্যকাৰ নহলেও নাট্যশাস্ত্ৰৰ একমাত্ৰ টীকাকাৰৰ নামত আৰু এজন কামৰূপী ব্ৰাহ্মণৰ নাম পোৱা যায়। এওঁৰ নাম অভিনৱ গুপ্তাচাৰ্য্য। এৱেঁই জগদ্‌গুৰু শঙ্কৰাচাৰ্য্যৰ ওচৰত তৰ্কত পৰাস্ত মানি শেহত লগে লগে কাশ্মীৰলৈ যায়, আৰু কাশ্মীৰতে নাট্যশাস্ত্ৰৰ টীকা লিখি সম্পূৰ্ণ কৰে। মহাভাৰতৰ নৰকাসুৰৰ দিনৰ পৰা খৃষ্টীয় অষ্টম শতিকালৈকে বঙ্গভূমি প্ৰাচীন কামৰূপৰ ভিতৰতে থাকি তাৰ পিছত কেবা বংশৰো ৰজাসকলৰ হাতে দি বাগৰি শেহত বঙ্গদেশ মুছলমান ৰজাসকলৰ হাতলৈ আহে। ৰংপুৰ আৰু মৈমনসিং ষোড়শ শতিকালৈকে কামৰূপৰ ভিতৰতে আছিল। প্ৰচীন কামৰূপ পুনৰ অধিকাৰ কৰা প্ৰকাশ্য চেষ্টা এক হৈছিল কোচকুলৰবি চিলাৰায়ৰ দিনত, আৰু হৈছিল আহোম আকবৰ মহাৰাজ ৰুদ্ৰসিংহৰ দিনত। অসমৰ দুৰ্ভাগ্য, দুয়ো চেষ্টা দৈব দুৰ্বিপাকত বিফল হৈ গ'ল। এই চাৰি পাঁচ শ বছৰ বিভিন্ন ৰজাৰ তলত থাকিলেও ইমান শতিকাৰ পুৰুষ পৰম্পৰা সাধনা আৰু কৃষ্টিত প্ৰাচীন কামৰূপৰ এক অগ্ৰাহ্য কৰিব নোৱাৰা দাবী বঙ্গদেশত ৰৈ গৈছে। গতিকে যি দুই তিনি সংস্কৃত নাটকৰ বাতৰি পোৱা যায় তাক ভাগ-বাটৰা কৰি কোনোৱে কাঢ়ি নিবলৈ হলেও কামৰূপৰ বুকুৰ পৰাহে কাঢ়ি নিব লাগিব, আৰু তাত চিৰদিন কামৰূপৰ গন্ধ ৰৈ যাব।

পূব মিথিলাৰ সেই ভাষাই যে এতিয়াৰ অসম আৰু বঙ্গদেশৰ সেই কালৰ সাধাৰণ কথিত আৰু লিখিত ভাষা আছিল তাত সন্দেহ কৰিবৰ কোনো কাৰণ নাই। তাৰ পৰা শঙ্কৰদেৱৰ দিনত জনসাধাৰণৰ ভিতৰত ধৰ্ম্ম প্ৰচাৰ কৰিব লগীয়া হোৱাত অসমীয়া ভাষাই নিজ ঠাইৰ কথিত ভাষাৰ জৰিয়তে আগ বাঢ়িলে, আৰু বঙ্গভাষাইও এক সুকীয়া মুখে আগ বাঢ়িবলৈ ধৰিলে। এই দুইখনি দেশে বিভিন্ন ভাষা ভাষী ৰাজশক্তিৰ শাসনত অনেক দিনলৈ পৰস্পৰ শত্ৰুতা আচৰণ কৰি কৰি ভাষাৰ আদান প্ৰদান কৰিবলৈ সুবিধা নোপোৱাত নিজ নিজ ঠাইৰ নানা জাতিৰ সংস্পৰ্শত অসমীয়া আৰু বঙ্গভাষাৰ ভালেখিনি পাৰ্থক্য আহি পৰিল। কথিত ভাষাৰ লগে লগে লিখিত ভাষাই বেগ দিব পৰা নাছিল। বহুদিনলৈ দুয়ো দেশৰ লিখিত ভাষা প্ৰায় একেই যেন হৈ থাকিল। সেই হে আজিও আমাৰ বৈষ্ণৱ যুগৰ আদি কবিবিলাকক লৈ বঙ্গদেশে টনা আজোৰা কৰি থাকে। সেই কালৰ মিথিলাৰ কবি বিদ্যাপতিয়ে তাৰে এক ফৈদ ক্ষত্ৰিয়ৰ মাজত প্ৰচলিত "বৃজ্জা" ভাষাৰ জৰিয়তে বৈষ্ণৱা কবিতাৰ মধুৰ ঝঙ্কাৰ তুলিছিল। একো বিচিত্ৰ নহয়, সেই ধ্বনিয়ে নিজ উত্তৰাধিকাৰী সূত্ৰে অসম আৰু বঙ্গদেশ চাওঁতে চাওঁতে জিনি ললে। চৈতন্যদেৱতকৈ বয়সত সাতত্ৰিশ বছৰ ডাঙ্গৰ শঙ্কৰদেৱে আগেয়ে এই 'বৃজ্জাবুলি' বা 'ব্ৰজবুলি'ৰ লালিত্যত মুগ্ধ হৈ আপোনাৰ গন্ধ পাই সমাদৰে লৈ আহি নিজৰ বৰগীত আৰু অঙ্কীয়া ভাৱনাৰ ৰচনাদিত ঠাই দিলেহি। তাৰ পিছত বঙ্গদেশে বিদ্যাপতিক একচেটিয়াকৈ লবলৈ ধৰিলে। বৈষ্ণৱ সাহিত্যৰ আদি ভাষা হিচাপে বিদ্যাপতিৰ ভাষাত বঙ্গদেশৰ যিমান স্বত্ব, উত্তৰাধিকাৰী অসমৰো কোনো গুণেই তাতকৈ কম নহয়।

প্ৰাচীন কামৰূপত খৃষ্টীয় অষ্টম শতিকালৈকে সংস্কৃত নাটকৰ অভিনয় নহৈ থকা নাছিল। কনৌজৰ প্ৰবল প্ৰতাপান্বিত ৰজা শ্ৰীহৰ্ষই নিজে নগানন্দ লিখি ইন্দ্ৰোৎসৱত অভিনয় কৰোৱা কথা কৈ অহা হৈছে। এই কবিৰে ৰত্নাৱলী নাটক অভিনীত হোৱাৰ কথা কাশ্মীৰৰ দামোদৰ গুপ্তইও উল্লেখ কৰিছে। গতিকে সমকালিক আৰু সমতেজস্বী ৰজা কুমাৰ ভাস্কৰ বৰ্ম্মাৰ লগালগি ৰাজ্যত নাট্যকাৰে নাটক লিখি অভিনয় নকৰোৱাকৈ থকা নাছিল। তাৰ পিছৰ পৰা চৈতন্যদেৱৰ দিনলৈকে যি কেখনি সংস্কৃত নাটক হৈছিল, তাৰ অভিনয় চাগৈ ব্ৰাহ্মণ পণ্ডিত, কায়স্থ আৰু সৎসূদ্ৰ বিলাকৰ এক গণ্ডিৰ ভিতৰতে চলি আহিছিল। সংস্কৃতত বেছি ৰাপ্ নথকা ৰজাসকলৰ দিনলৈ সাধাৰণ প্ৰজাৰ মাজত সি সদৰীকৈ

নোহোৱাটো স্বাভাৱিক শঙ্কৰযুগৰ আগৰ আৰু সংস্কৃত যুগৰ পিছৰখিনিতো হয়তো মাজে মাজে মাগধী ভাষা আৰু ব্ৰজবুলিৰ নাটকো অভিনীত হৈছিল। এই সন্ধিক্ষণত কেনে কি ধৰণৰ নাট্যলীলাই প্ৰতিপত্তি লাভ কৰিছিল সন্ধান দিব পৰা কোনো নিদৰ্শন আজিও পোহৰলৈ ওলোৱা নাই। দেৱী ভাগৱতৰ যি কেখনি নাটকৰ নাম শুনা যায়, এক তান্ত্ৰিক ধৰ্ম্মৰ প্ৰাধান্যলৈ চাই কব নোৱাৰি যে সেই কেইখনি শঙ্কৰদেৱৰ আগ। হস্তমুক্তাৱলী নামৰ শুভঙ্কৰ কবিৰ যিখনি নৃত্যকলাৰ পুথি বৰ্ত্তমান কামৰূপত আবিষ্কৃত হৈছে তাৰ নকল বোলে নেপাল আৰু মিথিলাত পোৱা গৈছে। ইয়াৰ পৰাই শঙ্কৰী যুগৰ আগতো নাট্যশাস্ত্ৰাদিৰ আলোচনা মিথিলা নেপাল আৰু প্ৰাচীন কামৰূপ বিয়াপি যে সুন্দৰ ৰূপে হৈছিল তাৰ বেছ আভাস পোৱা যায়।

অসাৰ্থক

কবিতা— —শ্ৰীযুত দেৱকান্ত বৰুৱা

গানে মোৰ নোছোৱে আকাশ ; ছোৱে জানো হৃদয় তোমাৰ ?
নাজানোঁ সঠিক।
তোমাক উদ্দেশি গাওঁ যত মোৰ গীত সখী ! সেয়ে হব,,
নালাগে অধিক।
ক্ষন্তেকৰ ফুল ছিঙি চেনেহৰ যিবা হাৰ ৰাতিপুৱা
গাঁথি ফুলনিত
তোমাক পিন্ধাওঁ প্ৰিয়া !—গধূলি শুকাই যায় সেই মালা
তোমাৰে ডিঙিত !
পোহৰত হাঁহি-নাচি উঠে যি ধৰণীখনি, সৌন্দৰ্য্যৰ
পিন্ধি পুষ্পহাৰ,
নীৰৱে মৰহি পৰে যেতিয়া মৰণ-ছাঁ লাহে লাহে
নামে সন্ধিয়াৰ।
দুখৰ নিশাত আমি জ্বলাই আশাৰ চাকি পোহৰাওঁ
ক্ষন্তেক মাথোন
আমাৰ জুপুৰি পঁজা ; জগত এন্ধাৰ ৰয়, নীলাকাশ
তিমিৰ-মগন।
অসত্য বিশ্বৰ লীলা ? কোনে কয় ? সত্য এই বেদনাৰ
গৌৰৱ অক্ষয়,
সত্য এই দিনে দিনে পোহৰৰ অভিযান, সত্য হেৰা
এন্ধাৰৰ জয় !

ক্ষুদ্ৰ-পৰিসৰ এই ধৰাৰ কাৰাত বন্দী আমি হায়
ধূলিতে বাগৰি
গোলাপৰ পৰশত বিচাৰোঁ প্ৰিয়ৰ স্পৰ্শ, মলয়াত
প্ৰিয়াৰ বাতৰি !
গছ, লতা, ফুল, ফল—অচলা প্ৰকৃতি দেহি ! ৰুদ্ধ যাৰ
প্ৰাণৰ প্ৰগতি,
কিদৰে বুজিব বাৰু তোমাৰ বুকুৰ ব্যথা, মোৰ এই
দুখৰ আৰতি !.....
ভাল পাওঁ কিয় মই কিদৰে বুজাম হেৰা ভাল পাওঁ
কিয়নো তোমাকে ?
সৃষ্টিৰ মাধুৰী ৰাশি, জীৱনৰ মউকোহ, আছে দেখি
লুকাই তোমাতে ?
এটি কথা জানো মই—জীৱনৰ যত দৈন্য, সচাঁ-মিছা
পঙ্ক পাৰ হই
ফুলিছো পদুম দুটি ওঁঠতে লগাই ওঁঠ—মনোৰমা !
তুমি আৰু মই।
আমিও লেৰেলি যাম ? অসাৰ্থক প্ৰীতি মোৰ ? পাপ মাথো
এই চুমাচুমি ?
কি কৰিম ! হ'ক পাপ—ক্ষতি নাই, মই পাম স্বৰ্গ তাতে
তুমি ৰ'বা তুমি !

জয়মতী ফিল্ম্

—শ্ৰীযুত উমেশ চন্দ্ৰ বৰুৱা, বি, এ

প্ৰথমে সম্পূৰ্ণৰূপে অসমীয়া কথা ছবি তোলাৰ বাবে অসমীয়া ৰাইজ আৰু কলাৰসিক সমাজ জয়মতী ফিল্মৰ পৰিকল্পী অসম আইৰ অক্লান্ত সেৱক শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ ওচৰত ঋণী। কথাছবি তোলা ইমান খৰচ বহুল কাম যে ভাৰতৰ সুকীয়া প্ৰাদেশিক ভাষাত ব্যৱসায় হিচাপে সুকীয়া প্ৰাদেশিক ফিল্ম Unit যে গঢ়ি উঠিব পাৰিব সেই বিষয়ে আমাৰ এতিয়াও যথেষ্ট সন্দেহ আছে। অসম্ভৱক সম্ভৱ কৰা, সপোনক দিঠক কৰা, 'লুইতৰ পাৰৰ ডেকা লৰা', কলাবিশাৰদ আগৰৱালাক পাই তৰুণ অসমীয়া ধন্য হৈছে। আমি শুনি সুখ পাইছোঁ যে জয়মতীৰ সাফল্যত সন্তোষ পাই তেখেতে জয়মতীৰ হিন্দী সংস্কৰণ উলিয়াবলৈ অলপতে কলিকতালৈ যাব।

'সোণ শুৱনী সবিতাৰ' দৰেই উজ্জ্বল আহোম বুৰঞ্জীৰ গৌৰৱময় যুগ, সপ্তাদশ শতিকাৰ আহোম স্বৰ্গদেউ সকলৰ পয়োভৰ, ৰাজকোঁৱৰ আৰু কুঁৱৰী সকলৰ চলন-ফুৰণ, বৰুৱা-বিষয়াৰ মন্ত্ৰনা নৈপুণ্য, টেকেলা-চাউদাঙৰ কাৰ্য্যতৎপৰতা, আলি-পদূলি, ঘৰ-দুৱাৰ, গায়ন-বায়ন, সাজ-পাৰ, জাপি-যাঠি, আৰোৱান, দুৱৰী-দোলা, ভাৱৰীয়া-ভাৱৰীয়ানী সকলৰ আকৃতি-প্ৰকৃতি, ঘটনাস্থলিৰ প্ৰাকৃতিক দৃশ্যবোৰৰ বাছনি, এই আটাই-বোৰতে অসমীয়া জাতিৰ বিশিষ্টতা দেখুৱা হৈছে গুণে 'জয়মতী'য়ে অসমীয়া ৰাইজৰ পৰা বিপুল সম্বৰ্দ্ধনা পোৱা উচিত।

ফিল্ম বস্তুটো নতুন গতিকে ফিল্মৰ কলা সম্পদ আৰু তাৰ ভাল বেয়া নিৰূপণ কৰা পদ্ধতিও আধুনিক। সাহিত্য, সঙ্গীত, ভাস্কৰ্য্য, চিত্ৰশিল্প, নাট বা ফিল্ম অভিনয় আদি সুকুমাৰ কলাৰ আলোচনা কৰোঁতে বিশেষজ্ঞসকলে শিল্পৰ সাৰ্ব্বজনীন আদৰ্শকহে প্ৰথম ঠাই দিয়ে। কাৰণ শিল্প সম্পদ কোনো এটা জাতি বিশেষৰ সম্পত্তি নহয়। অসমীয়া ফিল্মেও শিল্প হিচাপে জগতৰ আগত থিয় দিব লাগিলে কিছুমান সাধাৰণ সকলোৱে জনা কলাপদ্ধতিৰ (technique) ভিতৰেদি সাৰ্ব্বজনীন আদৰ্শৰ লগত যোগ ৰাখি নিজক প্ৰকাশ কৰিব লাগিব—অৱশ্যে জাতীয় বৈশিষ্ট ৰক্ষা কৰি। 'টকি' ভাৰতলৈ অহাৰ বেছি দিন হোৱা নাই। কলিকতালৈ টকি অহা সিদিনা ১৯২৮ চনৰ কথা। দেশী টকি প্ৰতিষ্ঠান বুলিবলৈ দৰাচলতে এতিয়ালৈ কলিকতা, বোম্বাই আৰু পুনাত হে আছে। আন কি কলম্বত যোৱা পহিলা এপ্ৰিল তাৰিখৰ দিনাহে প্ৰথম টকি কোম্পানী গঠিত হৈছে Ceylone talkis Ltd. নাম দি। ছবি এতিয়াও ওলোৱা নাই।

গতিকে আগৰৱালা দেৱে নিজে আৰ্থিক ক্ষতি আৰু শাৰীৰিক কষ্ট স্বীকাৰ কৰিও, সাংসাৰিক নানা বিপদ বিঘিনিৰ ভিতৰতো জয়মতী ফিল্ম অসমীয়া ৰাইজক উপহাৰ দি আমাৰ শ্ৰদ্ধাৰ ভাজন হৈছে। শব্দ যন্ত্ৰী আৰু আলোক-চিত্ৰ শিল্পীৰ অকৃতকাৰ্য্যতাত জয়মতী ফিল্মৰ ভালেখিনি সৌন্দৰ্য্য হানি হৈছে। আগৰৱালা ডাঙৰীয়াৰ সজ ইচ্ছা থকাতো প্ৰযোজনা আৰু নিৰ্দ্দেশৰ বিশেষ অভিজ্ঞতাৰ অভাৱত ভাৱৰীয়া ভাৱৰীয়ানী সকলৰ ভাও বহুত সময়তে হৃদয়গ্ৰাহী হোৱা নাই—ঘাইকৈ গদাপাণি আৰু জয়মতীৰ। বাকী প্ৰধান ভাৱৰীয়া ল'ৰা-ৰজা, লালুক সোলা, গাঁঠি, দিলিহীয়াল, পিঠু, তৰবৰী, সোৱনশিৰি, সেউতী আদিৰ ভাৱে গদাপাণি-জয়মতী চৰিত্ৰক মূৰ্ত্ত কৰাত বিশেষ সহায় কৰিব পৰা নাই।

ফিল্মৰ আখ্যান ভাগ যদিও শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ 'জয়মতীৰ' পৰা আংশিক ভাবে লোৱা বুলি কোৱা হৈছে তথাপি ফিল্মৰ জয়মতীৰ লগত বেজবৰুৱা ডাঙৰীয়াৰ জয়মতীৰ আখ্যান ভাগৰ বিশেষ একো মিল

নাই বুলি কলেও হয়—ডালিমীৰ চৰিত্ৰটোৰ বাহিৰে দৰাচলতে বেজবৰুৱাৰ আন কোনো চৰিত্ৰই ফিল্মত ঠাই পোৱা নাই।

বিষয়া-তন্ত্ৰৰ হাতৰ পুতলা ল'ৰাৰজাৰ দিনৰ অহোম ৰাজ্য স্বাৰ্থপৰ বিষয়াসকলৰ আত্যাচাৰত জৰ্জ্জৰিত। ল'ৰাৰজাৰ ভয়—জানোঁচা বিষয়া সকলে তেওঁক ভাঙি আন কোনো কোৱঁৰক ৰজা পাতে। সেইবাবে স্বাৰ্থপৰায়ণ কুট্‌মন্ত্ৰী লালুক সোলাৰ পৰামৰ্শত ৰজা হব পৰা আটাইবোৰ কোৱঁৰক তলে তলে চাউদাঙ লগাই মৰাব বা ঘুণীয়া কৰিবলৈ ষড়যন্ত্ৰ কৰিছে। তুঙ্গখুঙীয়া ফৈদৰ গদাপাণি কোঁৱৰ বাহুবলী পুৰুষ। তেখেতৰ সাহ-পিত, বল-বিক্ৰম ৰজা-প্ৰজা সকলোৰে মুখে মুখে। গতিকে গদাপাণি ল'ৰাৰজাৰ প্ৰধান প্ৰতিদ্বন্দী। ল'ৰাৰজাৰ ষড়যন্ত্ৰৰ গুপুত সন্ধেদ পাই সাধ্বী সতী জয়মতীয়ে স্বামী আৰু দেশৰ মঙ্গলৰ হকে প্ৰাণাধিক পতিক নগাপৰ্ব্বতলৈ পলাই যাবলৈ অনুৰোধ কৰে। গদাপাণিয়ে কাপুৰুষৰ দৰে লৰা তিৰোতা এৰি পলাবলৈ সম্মত নহয়। কিন্তু শেহত জয়মতীয়ে দেশৰ ৰাজনৈতিক অৱস্থা ভালকৈ বুজাই দি কয় যে আহোম ৰাজপাটৰ সন্মান ৰক্ষা কৰিবলৈ আৰু তেওঁলোকৰ আদৰৰ পোনা লাই-লেচাইৰ মুখলৈ চাই তেওঁ অন্ততঃ কিছুদিন পলাই থাকিবই লাগিব। দেশত থাকিলে গুপ্ত ঘাতকৰ হাতত মৰণ নিশ্চিত। ঘৈনীয়েকৰ কাতৰ অনুৰোধ এৰাব নোৱাৰি অগত্যা গদাপাণি নগাপৰ্ব্বতলৈ পলাই যায়। ল'ৰাৰজাৰ মানুহে গদাপাণিক নেপাই গোটেইখন দেশ তেওঁক বিচাৰি চলথ কৰিলে। অৱশেষত একো সন্ধেদ নেপাই ল'ৰা ৰজাই জয়মতীক ৰাজসভালৈ মতাই অনাই ৰজা আৰু বিষয়া সকলে কোৱঁৰৰ বাতৰি সুধিলে। তেজস্বিনী ভাৰ্য্যাই স্বামীৰ বাতৰি নিদিওঁ বুলি প্ৰতিষ্ঠিত ৰাজশক্তি আৰু ৰাজদণ্ডৰ প্ৰতি ঘোৰ অৱজ্ঞাৰ ভাও দেখুৱাই মনে মনে থাকিল—লালুক ফুকনৰ প্ৰৰোচনা, ল'ৰাৰজাৰ নিজৰ শক্তিৰ অহঙ্কাৰ, গাঁঠিৰ অমানুষিক অত্যাচাৰ একোৱেই জয়মতীৰ মুখৰ পৰা মাত উলিয়াব নোৱাৰিলে। শেহত ল'ৰাৰজাৰ চাউদাঙৰ নিৰ্ম্মম নিৰ্য্যাতন ভুগি সতীয়ে নশ্বৰ দেহা এৰিলে। এয়ে মুঠতে জয়মতীৰ আখ্যান ভাগ। চিত্তাকৰ্ষক চিত্ৰ-সম্ভাৱনাৰে ভৰা এনে এটা সুন্দৰ শক্তিশালী আখ্যানৰ পৰা ৰসস্ৰষ্টা নিপুণ শিল্পীয়ে এটি অনিন্দ্য সুন্দৰ কথা ছবি কৰি তুলিলেহেঁতেন তাত সন্দেহ নাই।

কিন্তু লিখিত গল্পৰ পৰা সেলুলয়েডৰ গল্পলৈ ৰূপান্তৰ কৰিব পৰা (film version লৈ নিয়া) যি আৰ্ট, আৰু যি দৰাচলতে ছবিৰ প্ৰাণবস্তু সেই চিত্ৰ নাট্য কৌশল (Art of building the Scenario) সকলোৰে জনা সম্ভৱপৰ নহয়। জয়মতী ফিল্মৰ চিত্ৰ নাট্যকাৰৰ যে সেই বিষয়ে বিশেষ দক্ষতা বা অভিজ্ঞতাৰ অভাৱ তাৰ প্ৰমাণ তেখেতৰ প্ৰথম অৱদান 'জয়মতী'ৰ বহুত ঠাইতে পোৱা যায়। আমি তেখেতৰ 'জয়মতী'ৰ নিন্দা কৰিব খোজা নাই, কিন্তু অতি অপ্ৰিয় হলেও সেয়ে আমাৰ ধাৰণা। ছবিলৈ ৰূপান্তৰিত কৰোঁতে গল্পটো কেনেকৈ সজালে দৰ্শকৰ মন আগ্ৰহ-সজীৱ হৈ থাকে, জনা গল্পকো দুনাই চাবলৈ ইচ্ছা হয়, চৰিত্ৰবোৰ ঘটনাৰ প্ৰবাহত তাল মাত্ৰা ঠিক ৰাখি কেনেকৈ ধীৰে ধীৰে বিকশিত হয়, ছবিৰ কোনো অলাগতীয়াল বা অসামঞ্জস্য থকা অংশ কেনেকৈ নথকা যেন কৰিব পাৰি এইবোৰেই ছায়া-চিত্ৰ সৃজনত মনত ৰাখিব লগীয়া কথা আৰু ইয়াক কাৰ্য্যত পৰিণত কৰিবলৈ যথেষ্ট চেষ্টা বা সাধনা লাগে। এইবোৰৰ অভাৱ হলে ছবিৰ মূল গল্পৰ বিষয় বস্তু যিমানেই মনোহৰ নহক, ভাৱৰীয়া যিমানেই সুনিপুণ নহক, সামঞ্জস্য নথকাৰ বাবে স্বাভাৱিকতা (reality), সজীৱতা, হৃদ্যতা (Spontanity) আৰু মনোনয়ণতা ভালেখিনি কমি যায়—কবিৰ আদৰ্শ, চিত্ৰকৰৰ আদৰ্শ আপুনি মৰহি যায়। জয়মতী ফিল্মত এই গুণবোৰৰ সমন্বয় নাই সেই কাৰণেই ই নিৰপেক্ষ দৰ্শকৰ পক্ষে মনোগ্ৰাহী হৈ উঠা নাই। প্ৰাদেশিক বা স্বদেশ হিতৈষণাৰ পৰা ভাল পোৱা বেলেগ কথা—কিন্তু এবাৰ তাক পাহৰি গৈ dispassionately প্ৰত্যেক দৰ্শকে ভাবি চালে দেখিব—ইয়াৰ ঘটনা আৰু ছবিবোৰ কিমান diffused—কতো এটা গভীৰতা (Intensity) নাই, কতো এটা high hitch নাই—যেন সকলোবোৰ চিত্ৰ

আহে আৰু যায়, কিন্তু দৰ্শকৰ মনত বা বুৰঞ্জীৰ ফালৰ পৰা সময় বালিত চিন থৈ যাবৰ প্ৰচেষ্টা নাই।

ছবিৰ প্ৰযোজক আৰু পৰিচালক শ্ৰীযুত আগৰৱালা দেউ নিজে। আমাৰ বিশ্বাস ছবিখনত তেখেতে নিজৰ শিল্পকলা জ্ঞানৰ বিশেষ পৰিচয় দিব নোৱাৰিলে। গুৰিয়াল নোহোৱা নাওঁৰ দৰে জয়মতী ছবিখন উটি গৈ কোনো ক্ৰমে পুৰুষ পিতৃৰ ধৰ্ম্মে অৰ্থাৎ আখ্যানটোৰ প্ৰতি দৰ্শকৰ প্ৰগাঢ় শ্ৰদ্ধাৰ বাবে শেহলৈকে তুলুং ভুটুং কৰি বৰ্ত্তি আছে। তাত নাই ছন্দ, নাই বৰ্ণ, নাই শ্ৰী। বিকাৰগ্ৰস্ত ৰোগীৰ প্ৰলাপৰ দৰে জয়মতীৰ দৃশ্যাৱলী অকাৰণে অসংবদ্ধ ভাবে চকুৰ আগত শাৰী পাতি যাব ধৰিছে। তাৰ ভিতৰত অনুৱৰ্ত্তীতা (continuity) আৰু ঘটনাৱলীৰ পাৰস্পৰিক যোগ সূত্ৰ (sequencc) নাই। এটা উদাহৰণ দিওঁ—বিষয়া সকলৰ ভয়ত সন্ত্ৰস্ত ল'ৰা ৰজাই ৰাজত্ব হেৰুৱাবৰ ভয়ত কাজকোঁৱৰ ঘুণীয়া কৰা গোপন অভিযানৰ আভাস দিবলৈ মিছাতে বহুতো সময় নষ্ট কৰি পৰিচালকে গল্পটোৰ মেৰুদণ্ড জয়মতীক যিদৰে পোনতে দৰ্শকৰ আগলৈ অনা বা পৰিচয় দিয়া উচিত আছিল সেই দৰে নচলাৰ ফলত গোসাই ঘৰত স্বামীৰ মঙ্গল কামনা কৰি পূজা কৰি থকা জয়মতী আৰু আহোমৰ ৰাজশক্তি আৰু ৰাজদণ্ডক বিদ্ৰূপ কৰিব পৰা বিচক্ষণ ৰাজনীতিজ্ঞা তেজস্বিনী জয়মতীৰ চৰিত্ৰগত সামঞ্জস্য কল্পনা কৰিবলৈ দৰ্শকে সুযোগ নেপালে। সেইদৰে আকৌ গদাপাণিৰ শক্তি সামৰ্থৰ কথা ল'ৰাৰজাৰ ফালৰ পৰা বিশেষকৈ প্ৰকাশ নকৰাৰ বাবে গদাপাণিৰ মহত্ব আৰু বীৰত্বপূৰ্ণ চৰিত্ৰ ফুটি নুঠিল আৰু গদাপাণি বনৰীয়া কোঁৱৰেই হৈ থাকিল—বিশেষকৈ জয়মতীক ৰাজসভালৈ মতাই অনোৱালৈকে। ৰাজ সভাৰ দৃশ্যত হে গদাপাণিৰ অলপ পৰিচয় প্ৰকাশ পালে। এই কাৰণেই হাবি-বননি ভাঙি চাউদাং কাটি নগাপৰ্ব্বতলৈ পলাই যোৱা গদাপাণিয়ে দৰ্শকৰ সহানুভূতি আকৰ্ষণ কৰিব নোৱাৰিলে। আকৌ বিষয়াতন্ত্ৰৰ হাতত ল'ৰাৰজাৰ নিঃসহায় অৱস্থাৰ আভাষ মাত্ৰও দিয়া হলে ল'ৰা ৰজাৰ দুঃসপোনৰ প্ৰভাৱ দুগুণে চৰিলেহেঁতেন আৰু গদাপাণিৰ পলোৱাৰ সাৰ্থকতা দৰ্শকে উপলব্ধি কৰিব পাৰিলেহেঁতেন।

সাধাৰণ দৰ্শকে ছবিখনৰ প্ৰথমৰ কেইটামান দৃশ্যৰ অৰ্থকে বুজিব নোৱাৰিব। বহুৱা মানুহৰ সাজ পিন্ধি চাৰিওপিনে পিয়াপি দি লৰি ফুৰা মানুহ কেইটা যে ৰজাৰ চোৰাংচোৱা তাক প্ৰথম দৃষ্টিত বুজি পোৱা টান কথা। তামোল গছত উঠি চাৰিওপিনে চোৱা, বিছনাৰ আঁৰত লুকাই ফুচ ফুচকৈ কথা পতা আদি আভাস দিয়া সৈতেও আমি প্ৰথমতে কথাটো তং কৰিব পৰা নাছিলো—পিছত ৰাজকোঁৱৰবোৰক হত্যা কৰোৱা হোৱাতেহে আমি বুজিলো, সেই মানুহ কেইটা চোৰাং-চোৱা আছিল। বেয়া ফটোগ্ৰাফীৰ পৰা কথাটো ফুটি নুঠা অসম্ভৱ নহয়; কিন্তু আমি এই বিষয়ে পৰিচালকৰ চেষ্টাৰ একো গম নেপালোঁ। ষড়যন্ত্ৰ আৰু হত্যা লৈ যি গল্পৰ আৰম্ভ সেই গল্পটোৰ প্ৰথমতে ভাওনাৰ নাচ আৰু অলপ পিছতেই সোৱনশিৰি লিগিৰীৰ নাচটো সুমুৱাই দি গল্পৰ মূল ৰসলৈকে অৱহেলা আৰু অবমাননা কৰা হৈছে। সোৱনশিৰিৰ লগত দিয়া শ্ৰীযুত জ্যোতি প্ৰসাদৰ নিজৰ নাচটোৰ কিছুমান নৃত্য ভঙ্গীয়ে আমাৰ চকুক কষ্ট দিয়াৰ উপৰিও ৰস সৃষ্টিৰ পিনৰ পৰা গল্পটোৰ বিশেষ ক্ষতি কৰিলে। যদি ভাওনাতেই ল'ৰাৰজা আৰু লালুকৰ ষড়যন্ত্ৰৰ পকা বন্দোবস্ত দেখুৱা চিত্ৰনাট্যকাৰৰ ইচ্ছা আছিল তেন্তে পৰিচালকে ভাওনাক পৰোক্ষ ভাবে (side show) কৰি ৰাখি লালুক আৰু ল'ৰাৰজাক মন্ত্ৰণা কক্ষ বা নিজানত এফলীয়াকৈ ষড়যন্ত্ৰটোক প্ৰধান ঠাই দিয়া উচিত আছিল। নগা পাহাৰৰ ঘটনাৱলীৰ লগত জেৰেঙা পথাৰৰ অন্তৰ্ণিহীত ঘটনাৰ সংযোগ অন্ততঃ এবাৰ দেখুৱা উচিত আছিল। ডালিমীৰ লীলায়িত ভঙ্গীত ভোল যাব খোজা দৰ্শকৰ মনত জয়াৰ নিৰ্ম্মম নিৰ্য্যাতনৰ অবিচলিত দৃষ্টি এবাৰ উদ্ভাসিত হোৱা হলে ঘটনাৱলীৰ পৰস্পৰ সংযোগত উভয় দৃশ্যৰ মৰ্য্যাদা দৰ্শকৰ মনত আৰু চৰিলহেঁতেন। জুৰীৰ পাৰৰ দৃশ্যত ডালিমীয়ে যেতিয়া গদাপাণিক সোধে "কেচাসোণ

তই মন মাৰি বহি আছ কিয় ?" তেতিয়া গদাপাণিৰ চলচলীয়া চকুৰ প্ৰত্যুত্তৰৰ লগে লগে বা তাৰ আগতে জয়মতীৰ বন্দীশালৰ দৃশ্যতো এবাৰ উদ্ভাসিত কৰি দিয়া হলে জয়মতীৰ নিৰ্য্যাতন আৰু হৃদয়স্পৰ্শী হলহেঁতেন। চিত্ৰখনত লাই-লেচাইক হেৰুৱাই মাতৃস্নেহৰ অফুৰন্ত সৌন্দৰ্য্যৰ কতো আভাসকে নেপালো—মাকৰ চকুৰ এটুপি চকুলোৱে বহুতৰ শুকান প্ৰাণত শান্তি বাৰি সিঁচিলেহেঁতেন। জয়মতী অকল গাভৰুৱে নাছিল সন্তানৰ জননীও আছিল। নিৰ্য্যাতনৰ কৰুণ মুহূৰ্ত্ততো মাকে এবেলিও এই হব খোজা মাউৰা দুটিৰ কথা ভবা নাছিলে বা স্বামীৰ গৌৰৱ মণ্ডিত ভবিষ্যতৰ ছবি কল্পনাতো অঁকা নাছিল নে ? চিত্ৰ নাট্যত Suggestiveness অলপ লাগে, নহলে gramophone হয়।

ৰাজসভালৈ ধৰি অনাবৰ সময়ত জয়মতীৰ মনৰ ভাবটো প্ৰকাশিত কৰিব নোৱাৰা গুণে জয়মতী চৰিত্ৰ যিমান ওপৰলৈ উঠিব লাগিছিল সিমান ওপৰলৈ উঠাব নোৱাৰিলে। ফলত জয়মতী অঁকৰা মতীয়া আহোম কুঁৱৰী হৈয়ে থাকিল আৰু সেই গুণেই হবলা ৰাজসভাৰ দৃশ্যত 'জয়মতী'ৰ গুৰু গম্ভীৰ আচৰণেও দৰ্শকৰ মনত মুঠেই প্ৰভাব বিস্তাৰ কৰিব নোৱাৰিলে। জয়মতীৰ মনৰ ভাবটো আগৰ পৰা ভালকৈ প্ৰকাশ কৰি ৰখা হলে ৰাজসভাৰ দৃশ্যত লালুক আৰু ল'ৰাৰজাৰ প্ৰশ্নৰ উত্তৰত জয়মতীয়ে সিংহাসনলৈ অবজ্ঞা কৰি মুখ ফিৰোৱা দৃশ্যটোত দৰ্শকে জয়ধ্বনি কৰি উঠিলহেঁতেন। বক্তৃতাৰ বকলা মেলি ৰজা বা ৰাজশক্তিক তিৰস্কাৰ কৰাতকৈ বা দম্ভপূৰ্ণ বচনতকৈ এটা আত্মমৰ্য্যাদা সূচক সঙ্কেত বেছি ভাব ব্যঞ্জক (suggestive)। আগৰৱালা দেৱে ইয়াতে তেখেতৰ পৰিচালনাৰ (Direction) সূক্ষ্মতাৰ পৰিচয় দিছে। দৰাচলতে Direction হিচাপে এই দৃশ্যটোৱেই জয়মতী ফিল্মৰ "ওৱেচিচ"। অকল এই দৃশ্যটোৰ পৰাই আমি আগৰৱালা দেৱৰ দক্ষতাৰ অলপমান আভাষ পাওঁ। এই touch টো নথকা হলে জয়মতী ভালেমান বিষয়ত সবাক মেজিক লেণ্টাৰ্ণত পৰিনত হলহেঁতেন। অকল সেই দৃশ্যটোৱে জয়মতীৰ পৰিকল্পী আগৰৱালাক সাধাৰণ বঙলা-হিন্দী ছবিৰ সাধাৰণ প্ৰযোজকৰ শাৰীৰ পৰা ওপৰলৈ আনিছে। এই দৃশ্যটোৰ পৰিকল্পনাৰ পৰা বুজিব পাৰি যে শ্ৰীযুত আগৰৱালাৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰযোজকৰ যথেষ্ট সঁজুলি আছে আৰু সেই গুণে আমি জয়মতীৰ পৰিকল্পী আগৰৱালা দেওক আমাৰ আন্তৰিক শ্ৰদ্ধা জনাওঁ। এই খিনিতে জয়মতী চৰিত্ৰ সম্বন্ধে আলোচনা নকৰিলে কথাটো স্পষ্ট নহব। জয়মতীৰ লগত আন সাধাৰণ সাধ্বী তিৰোতাৰ পাৰ্থক্য এই খিনিতে যে আন নাৰীয়েও হয়তো এনে অৱস্থাত গিৰিয়েকৰ বাতৰি ৰজাক কৈ নিদিও ৰজাৰ অত্যাচাৰত হুৰাওৰাওকৈ কান্দি গছৰ পাত সৰাই চাউদাংৰ হাতত প্ৰাণ এৰিলেহেঁতেন। জয়মতীয়ে হলে জানি শুনি অত্যাচাৰ বৰণ কৰি লৈছিল। জয়মতীয়ে জানিছিল—শৰীৰৰ ওপৰতহে ৰজাৰ অধিকাৰ, মনৰ ওপৰত কাৰো অধিকাৰ নাই। সেই কাৰণে গাঁঠিৰ তপত লোহাৰ ভয়েও জয়মতীৰ মুখৰ পৰা চিঞৰ এটাও উলিয়াব নোৱাৰিলে। পাৰ্থিৱ শক্তিলৈ অসীম তাচ্ছিল্যৰ ভাবটোৱেই (Supreme contempt) জয়মতী চৰিত্ৰৰ এটা বিশেষত্ব। সেইটো আছিল গুণেই শাৰীৰিক কষ্টই তেওঁৰ মনৰ ওপৰত তিলমাত্ৰও প্ৰভাব বিস্তাৰ কৰিব পৰা নাছিল—অত্যাচাৰৰ আৰম্ভৰ পৰা মৃত্যুৰ মুহূৰ্ত্তলৈকে। আহোম ৰাজত্বৰ সেই সন্ধিক্ষণত কুট-চক্ৰী, লোভী, স্বাৰ্থপৰায়ণ বিষয়া সকলৰ খামোচৰ পৰা দেশক ৰক্ষা কৰিবলৈ এজন প্ৰবল প্ৰতাপী ৰাজপুৰুষৰ আৱশ্যক হৈছিল। জয়মতীয়ে বঢ়িয়াকৈ বুজিছিল যে সেই সময়ৰ ৰাজকোঁৱৰবোৰৰ বেছি ভাগেই অকৰ্ম্মন্য—গদাপাণি বাহুবলী সিংহ পুৰুষ যদিও তেখেতৰ ভিতৰত নিজৰ কোনো প্ৰেৰণা নাই। ঘটনাৰ পাকত নপৰিলে গদাপাণিৰ বীৰত্ব সাহ-পিত একো কাৰ্য্যকৰী নহব। জয়মতী কুঁৱৰীয়ে স্বামীৰ মোহ বা জড়তা (inactivity) ভাঙি সুপ্ত সিংহক জগাই তুলিবলৈ এই প্ৰাণ-পাত কৰা তপস্যা নকৰা হলে হয়তো গদাপাণি নগাপৰ্ব্বতত নগা হৈয়ে থাকি গলহেঁতেন—আহোম ৰাজসিংহাসনৰ প্ৰবল প্ৰতাপী গদাধৰ সিংহ স্বৰ্গদেউ হব নোৱাৰিলেহেঁতেন। জয়মতীৰ মৃত্যুৰ ভিতৰত নিহীত থকা মহান এই উদ্দেশ্যটোৱেই

জয়মতী চৰিত্ৰক বহুত ওপৰলৈ তুলিছে। আৰু সেই বাবেই জয়মতী অকল সতীয়েই নহয়—আহোম সাম্ৰাজ্যৰ বৰ ঘৰটোৰ এটা মূধৰ খুটা—ইন্দ্ৰবংশীয় আহোম ৰাজবংশৰ মুকুটমণি—অসম বুৰঞ্জীৰ joan of Arc। যুদ্ধ-ক্ষেত্ৰত মতা মানুহৰ সাজ পিন্ধি অস্বাভাৱিক উত্তেজনাত মত্ত হৈ জাতীয় পতাকা হাতত লৈ ৰণৰ স্থলীত সৈন্যৰ আগত থিয় দি দেশৰ হকে আত্মবলি দান কৰা মহিমাময়ী নাৰীৰ দৃষ্টান্ত জগতৰ বুৰঞ্জীত বিৰল নহয়। কিন্তু স্থিৰ চিত্তে বিনা উত্তেজনা, বিনাযুদ্ধে স্বামীৰ মঙ্গল, দেশৰ আৰু দহৰ মঙ্গলৰ আশাত অনুপ্ৰাণিত হৈ জানি শুনি নিশ্চিত মৃত্যুক তিল্ তিল্কৈ এনেকৈ হাঁহি মুখে আলিঙ্গন কৰা নাৰীৰ উদাহৰণ জগতত দ্বিতীয় নাই। জয়মতীৰ এই প্ৰাণ পাত কৰা তপস্যাৰ মহান উদ্দেশ্যটো প্ৰকাশ কৰিবলৈ জয়াৰ বন্দীশালৰ দৃশ্যত হেঙদান লোৱা ৰজা গদাপাণিক এবাৰ উদ্ভাসিত (Super impose) কৰি দেখুৱা হলে জয়মতীৰ মৃত্যু সাৰ্থক হলহেঁতেন আৰু ফিল্মৰ শেষ দৃশ্যৰ গীতটোত উল্লেখ কৰা অসমৰ জীৱৰী বোৱাৰীৰ চকুলোৰ লগতে স্বদেশ প্ৰেম আৰু সত্যাগ্ৰহৰ জলন্ত আদৰ্শটো জলজলীয়াকৈ ডাঙি ধৰা হলহেঁতেন। পৰিচালকে গাঁঠিৰ অমানুষিক অত্যাচাৰ, গাঁঠিৰ অস্বাভাৱিক খঙ আৰু বিকৃত মুখ ভঙ্গী দেখুৱাবলৈ গৈ নিজৰ কলা-কৌশলৰ দৈন্যতা দেখুৱাৰ লগতে ফিল্মৰ total effect ৰ ওপৰত আঘাত কৰিছে। কাৰণ গাঁঠিৰ অত্যাচাৰটো ছবিৰ মূল বস্তু নহয়—মূল বস্তু হৈছে জয়মতীৰ ত্যাগ। গাঁঠিক type হিচাপে প্ৰধান্য দিয়াত জয়মতী নাটক ফিল্ম হিচাপে tragic হব নোৱাৰিলে। কাৰণ ঘটনাচক্ৰৰ সমাবেশৰ পৰাহে tragedy সৃষ্টি হয়। সেয়ে নহলে এটা নিষ্ঠুৰ হত্যাকাণ্ডৰ হুবহু বৰ্ণনাই tragedyৰ সৃষ্টি কৰিলেহেঁতেন। কি কি কাৰণে অত্যাচাৰ কেনেকৈ ঘটিবলৈ পালে, তাৰ Back ground ত কি আছিল আৰু সেই অত্যাচাৰে কেনেকৈ সমসাময়িক ইতিহাসত প্ৰভাব জন্মালে সেয়েহে tragedy আৰু সিয়ে মানৱ মনৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে।

আমি প্ৰবন্ধৰ আৰম্ভণতে উনুকিওৱা সময়োপযোগী সাজ-পাৰ, বয়-বস্তু, হেঙদান, কাৰেং আৰু অসমীয়া ঘৰৰ ভিতৰৰ কাৰুকাৰ্য্যই এটা atmosphere সৃষ্টি কৰে। ফিল্মৰ ভাষাত সেইবোৰ Settingৰ ভিতৰত পৰে। ইয়াৰ ওপৰত ছবিখনৰ ৰস উপভোগ বহুগুণে নিৰ্ভৰ কৰিলেও ছবিখনৰ total effect টোহে ছবিখনৰ প্ৰাণ। Effect বা প্ৰভাবেই হৈছে ফিল্ম বা টকিৰ সাফল্যৰ মাপকাঠি। ছবিখনৰ ভিতৰত থকা Emotional আৰু Intellectual touch বোৰৰ ওপৰত ছবিখনৰ সাফল্য আৰু প্ৰযোজকৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে। নিপুণ চিত্ৰনাট্যকাৰ আৰু প্ৰযোজকে চৰিত্ৰ সৃষ্টি আৰু wipe-in, dissolve, fade in, fade out আদি কলা কৌশলৰ সহায়েৰে সমসাময়িক ঘটনাৱলীৰ ভিতৰত ঐক্য আৰু যোগ সূত্ৰ স্থাপনৰ দ্বাৰা মায়া ৰাজ্যৰ সৃষ্টি কৰি দৰ্শকৰ মন এনে ভাবে অভিভূত কৰে যে তেওঁলোকৰ মনৰ পৰা বহুদিনলৈকে এই প্ৰভাববোৰ নাঁতৰে। যি পৰিচালকে এনে ৰস সৃষ্টি কৰাত সক্ষম তেওঁহে পৰিচালক নামৰ যোগ্য। সেই কাৰণে জগত বিখ্যাত গ্ৰন্থৰো film version কৰিব লগা হয় আৰু তাৰ ভিতৰেদি চিত্ৰ নাট্যকাৰ আৰু প্ৰযোজকে নিজৰ নিজৰ পাৰদৰ্শিতা ফুটাই তোলে। ফিল্ম শিল্পৰ এই technical side টোৰ বিষয় কবলগীয়া বহুত কথা আছে আৰু লিখকৰ প্ৰবল ইচ্ছা থকাতো এতিয়া এই বিষয়ে আলোচনা নকৰোঁ, কিয়নো 'জয়মতী" চিত্ৰক প্ৰথম শ্ৰেণীৰ চিত্ৰৰ মাপকাঠিৰে জুখিবলৈ কোৱা অন্যায় হব। সেইগুণেই আমি setting, অভিনয় বা Back ground music আদি বহুত কথাৰ আলোচনা নকৰিলোঁ। আমাৰ সমালোচনা বহুতে ভাল নেপাব পাৰে ; কিন্তু আমি আন অভিপ্ৰায় লৈ আলোচনা কৰিব খোজা নাই। জনদিয়েক কলা ৰসিক বন্ধুৰ অনুৰোধত পৰিহে আমাৰ ব্যক্তিগত ধাৰণা ব্যক্ত কৰিছোঁ। জয়মতী ফিল্ম সমালোচনা কৰিবলৈ যোৱা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। সময় আৰু সুবিধা পালে আৰু পাঠকৰ এই বিষয়ে আগ্ৰহ থাকিলে ভাল ফিল্মনো কাক বোলে সেই বিষয়ে আলোচনা কৰিবৰ ইচ্ছা থাকিল।

'জয়মতী ফিল্ম' সম্বন্ধে আমাৰ ধাৰণা একো নাই। কাৰণ এই ফিল্ম চোৱাৰ সৌভাগ্য এতিয়ালৈ আমাৰ ঘটা নাই। যি হ'ক শ্ৰীযুত জ্যোতি প্ৰসাদ আগৰৱালা ডাঙৰীয়াৰ ঐকান্তিক চেষ্টাৰ ফল—এই 'জয়মতী ফিল্মেই' আমাৰ দেশৰ এনে শিল্প বিষয়ৰ প্ৰথম প্ৰচেষ্টা। অকল এই বাবেই, ইয়াৰ কিবা ত্ৰুটি থাকিলেও, সকলো অসমীয়াৰে ই সহানুভূতি পাবৰ যোগ্য। প্ৰবন্ধ লিখকৰ উদ্দেশ্য জয়মতী ফিল্মলৈ অসমীয়া ৰাইজৰ আগ্ৰহ কমাবলৈ চেষ্টা কৰা নহয় বৰং তাক সৰ্ব্বাঙ্গ সুন্দৰ হিচাপে দেখিবলৈ আশা কৰাহে আৰু শ্ৰীযুত আগৰৱালা দেৱক কথা চিত্ৰ শিল্প বিষয়ত আন্তৰ্জাতিক সুখ্যাতি অৰ্জ্জা দেখিবলৈ আশা কৰাহে। অৱশ্যে লিখকৰ মন্তব্যৰ শুদ্ধাশুদ্ধ বিষয়ে আমি একো নাজানো। কেবল ব্যক্তিগত মত প্ৰকাশ কৰিবলৈ সুযোগ দিয়াই এই প্ৰবন্ধ প্ৰকাশৰ উদ্দেশ্য।—সঃ, আঃ

অতীতত ভূমুকি

(অনুসন্ধান)

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

ৰহ ঢলা প্ৰথা—

ৰজাদিনীয়া পুখুৰীবোৰৰ পানী কিয় আজিলৈকে ফটিকৰ ধাৰ যেন হৈ আছে বুলি সুধি বুঢ়া লোকৰ পৰা তাহানি শিৱসাগৰত থাকোঁতেই উত্তৰ পাইছিলোঁ যে এই পুখুৰীবোৰত ৰহ ঢলা হৈছিল। ৰহ কি বস্তু এতিয়া চোৱা যাওক। সংস্কৃত ৰস শব্দৰেই ৰহ অপভ্ৰংশ। ইংৰাজীত এই ৰসক Mercury বোলা হয় আৰু আমাৰ মাজত ই পাৰা নামেৰেই জনাজাত। ৰসৰ নিচিনা এটা পদাৰ্থক পুখুৰীৰ পানী নিৰ্ম্মল কৰি ৰাখিবলৈ কি প্ৰক্ৰিয়াৰে কি অৱস্থালৈ নি নিয়োগ কৰা হৈছিল—এই কথা বৈজ্ঞানিকসকলৰ হে বিচাৰ্য্য বিষয়। এই দৰে পুখুৰীত ৰস নিয়োগ কৰা প্ৰথাৰ উদ্ভাৱন আৰু উন্নতি যে ভালেমান দিনীয়া সাধনাৰ ফল তাক নকলেও হব। আহোম যুগৰ আগতে এই ৰহ ঢলা পদ্ধতিৰ কথা অসমত শুনা নাযায়। আহোম যুগত ৰজাঘৰীয়া ৰসায়ণিক এজন আছিল বুলি আমি জানো। এই ৰসায়ণিকৰ খিতাপ আছিল ৰসেন্দ্ৰ বৰুৱা। কোনো কোনো অসমীয়া ডাঙৰীয়াৰ মতে এৱোঁ এজন চিকিৎসক হে আছিল। এই কথা কিন্তু সঁচা নহয়। ৰসেন্দ্ৰ বৰুৱাৰ কৰ্ম্মক্ষেত্ৰ আজি-কালিৰ গোলাঘাট চহৰৰ ওচৰতে আছিল যেতিয়া সহজে অনুমান কৰিব পাৰি যে ৰজাৰ চিকিৎসক হোৱাহেঁতেন তেওঁ ৰাজধানী নতুবা ৰাজধানীৰ ওচৰতে নাথাকি দুৰণি-বটীয়া গোলাঘাটত থাকিবৰ একো দৰ্কাৰ নপৰিছিল। এই ৰসেন্দ্ৰ বৰুৱাৰ তত্ত্বাবধানতে অসমৰ পুখুৰীবিলাকত কিবা এটা পদ্ধতিৰে ৰহ ঢলা হৈছিল। ৰহ প্ৰস্তুত আৰু পুখুৰীত নিয়োগ কৰিব পৰা অৱস্থালৈ নিয়া কাৰ্য্যও নিশ্চয় এওঁৰেই বাব আছিল। ইয়াৰ উপৰিও খুব সম্ভৱ তেওঁৰ কাৰ্য্যালয়ত অইন অইন ৰসায়ণিক বস্তুও প্ৰস্তুত হৈছিল; আৰু হয়তো ৰজাৰ বেজবৰুৱা আদি বৈদ্যসকলৰ আৱশ্যকীয় দ্ৰব্য, ঔষধ আদিও ইয়াতেই প্ৰস্তুত হৈছিল। কিন্তু এই সকলোবোৰ আমাৰ অনুমান হে। কোনোবা যোগ্য লোকৰ পৰা আমি এই বিষয়ে পোহৰ পাম বুলি হে এই কেআষাৰ লিখাৰ লোভ সামৰিব নোৱাৰিলোঁ। ৰসেন্দ্ৰ বৰুৱাৰ বংশধৰ গুৱাহাটী আৰু শিৱসাগৰত আজিও আছে। তেখেতসকলে যত্ন ললে আৰু যদি কোনো পুৰণি পুথি কোনো এঘৰত আছে তেন্তে এই বিষয়ে আমি বহুত নজনা কথা জানিবলৈ পাম। আৰু এটা কথা আমাৰ মতে ভাবি চাব লগীয়া এই যে ৰসেন্দ্ৰ বৰুৱাৰ কৰ্ম্মস্থল গোলাঘাটত নহৈ অসমৰ অইন কোনো ঠাইত নহল কিয়? খোৱা পানীৰ বিষয়ে আহোমসকলে যত্ন লোৱাৰ কথা জনাজাত। গোলাঘাটৰ ফটাশিল, গৰম-পানী, ধনশিৰিৰ পানী আদি লৈ ৰসেন্দ্ৰ বৰুৱাই আন কিবা কাৰ্য্যত নিযুক্ত আছিল নে কি? এই ৰহ ঢলা প্ৰথা কিমান দিনৰ পৰা অসমত প্ৰচলিত? ই আহোমৰেই দান নে কি, নে আহোমৰ দ্বাৰা কৰবাৰ পৰা অনা, অসমৰ বাহিৰে আৰু কৰবাত এই প্ৰথা আছিল নে, আৰুই অসমীয়া মস্তিষ্কৰে উদ্ভাবনা নে কি? এইবোৰ প্ৰশ্নৰ সমিধান এই প্ৰসঙ্গত অতি আৱশ্যকীয়।

পুখুৰীৰ শিকলি :—

শিৱসাগৰৰ পৰা অলপ দূৰৈত মৰিদিখৌৰ পাৰত এজোপা গছত এডাল লোৰ শিকলি এমূৰে লগাই থোৱা আৰু আনটো মূৰ মৰিদিখৌৰ পানীত তল গৈ থকা ভাগেৰেই বহুত দিনৰ আগৰে পৰা মানুহে দেখি আহিছিল। প্ৰচলিত প্ৰবাদ মতে পিতৃ-হন্তা ৰজা আৰিমত্তই পিতৃ-হত্যা পাপৰ পৰা মুক্তি পাবৰ অৰ্থে কেখন-

মান নাৱত ধন-সোণ বোজাই দি ভাৰতৰ তীৰ্থস্থানবোৰত দান কৰিবলৈ লৈ গৈছিল; কিন্তু পিতৃ-হন্তাৰ ধন-সোণ বামুণ সজ্জন কেৱেই গ্ৰহণ নকৰাত ৰজাই পতিতোদ্ধাৰিণী বুলি প্ৰসিদ্ধ গঙ্গা নৈকে সেই ধন-সোণবোৰ দান কৰে। পিছে গঙ্গায়ো পিতৃ-বধীৰ দান দেখি ধন-সোণবোৰ ঢৌৰ কোবত পাৰলৈ ওভোতাই দিলে আৰু গঙ্গাৰ দৰেই কোনো পবিত্ৰ নৈয়েই তেওঁৰ সেই দান গ্ৰহণ নকৰাত দিখৌ নৈকে সেই ধন বলেৰে দান কৰি নাৱত শিকলি লগাই পাৰৰ গছত লগাই থৈ গুচি যায়। দিখৌৱে অইন অইন ডাঙৰ নৈৰ দৰে ঢৌৱাই পাৰলৈ দলিয়াই দিব নোৱাৰে দেখি তেতিয়াৰ নিজ গতিকে সলাই পেলালে। এই প্ৰবাদৰ অন্তৰালত কি সত্য লুকাই আছে কব নোৱাৰি।

জনপ্ৰবাদ

মৰিদিখৌৰ শিকলি

এই গল নৈৰ শিকলিৰ কথা। প্ৰবাদত সত্যৰ জোখ অলপ আছে বুলি ভাবিলোঁহেঁতেন, পিছে কিছুমান পুখুৰীৰ পাৰে পাৰে আকৌ এই নিচিনা শিকলি পোৱাৰ পৰা প্ৰবাদ একেবাৰে অমূলক বুলি হে ভাবিব লগা হল। পুৰাতত্ত্বানুৰাগী শ্ৰীযুত ৰজনী পদ্মপতি দেৱে "বাঁহী"ত এবাৰ এই শিকলিবোৰ কিয় দিয়া হৈছিল প্ৰশ্ন কৰিছিল আৰু আমি জনাত তেখেতে আজিলৈকে সেই প্ৰশ্নৰ একো সমিধান নাপালে। পুখুৰীত ৰহ ঢলা কাৰ্য্যৰে সৈতে এই শিকলিবিলাকৰ কিবা সম্বন্ধ আছিল নে কি? কিবা পাত্ৰত ৰহ বা অইন কিবা পদাৰ্থ ভৰাই লাহে লাহে নিজৰি নিজৰি পানীৰ নিৰ্ম্মলতা ৰক্ষা কৰি থাকিব পৰাকৈ পুখুৰীৰ সোঁ মাজত থৈ তাৰে সৈতে পাৰৰ গছত বন্ধা শিকলিৰ ইটো মূৰ বান্ধি কিবা এটা বিশেষ অৱস্থাত (position) ৰখা হৈছিল নে কি?

পুখুৰী নুশুকায় কিয়?—

আহোমৰ দিনৰ পুখুৰীবিলাকৰ পানী ফটফটীয়া হৈ থকাৰ উপৰিও আজি এতে দিনে সেই পুখুৰীবিলাক শুকান নোহোৱাৰ কাৰণ কি? এই প্ৰশ্নৰ উত্তৰত আমি জানিবলৈ পাইছোঁ যে আহোমৰ যুগৰ পুখুৰীবিলাক খনাৰ আগতে বিশেষজ্ঞসকলে পুখুৰী যাতে কিছু কালৰ পিছতে শুকান হৈ নপৰে তাৰ ব্যৱস্থা কৰিছিল। তেওঁলোকে হেনো মাটিৰ আভ্যন্তৰিক নিজৰা বাছি উলিৱাই তাৰ মুখতে সুচলকৈ পুখুৰী খানিছিল। এই কাৰণেই বোলে পুখুৰীবিলাকে আজিও শুকান হব নাজানিলে।

পুখুৰীবোৰ পাৰ বান্ধি কৰা নে খনা?—

শিৱসাগৰ, জয়সাগৰ আদি পুখুৰীৰ কেউ ফালে থকা খাৱৈবিলাকৰ পানী যুৱলিৰ (water level) সৈতে পুখুৰীবোৰৰ water level ৰিজাই চালে দেখিবলৈ পোৱা যায় যে খাৱৈৰ পানীতকৈ পুখুৰীৰ পানী সদায় ওপৰত। ইমান গাতে গা লাগি থকা ঠাইতে water level-অৰ এনে বৈষম্য কিয়? এঠাইত কিবা কাৰণত হল বুলি পুখুৰী প্ৰত্যেকটোৰ বিষয়েই এই একেটা কথাই হবলৈ পায় কেনেকৈ? আগৈয়ে য'ত জেৰেঙা পথাৰ আছিল সেই ঠাইতে আজি জয়সাগৰ। এতিয়া য'ত শিৱসাগৰ তাতো আছিল এখন পথাৰ; সেই পথাৰ ধাই আলিৰ কাষত থকা পথাৰ আৰু বুঢ়াগোহাইৰ খাটৰ সৈতে এসময়ত সংলগ্ন হৈ আছিল। পথাৰবিলাকৰ তলেদি যোৱা পানীৰ নিজৰা বাছি উলিৱাই তাতে দুই-এটা নাদৰ নিচিনা গোটোং পুখুৰী খানি দি কেউফালৰপৰা মাটি আনি পাৰ বান্ধি এই পুখুৰীবোৰ কৰিছিল বুলিয়েই আমাৰ বিশ্বাস। চাৰিউ ফালৰ পৰা মাটি আনোতে খাৱৈবিলাক ভালকৈয়ে দ' হৈ পৰিছিল; কিন্তু কালক্ৰমে এতিয়া সেই খাৱৈবিলাকৰ কেতবোৰত খেতি কৰিব পৰা হৈছে। কোনোবা যোগ্য লোকে এইবোৰ বিষয়ৰ আলোচনা হাতত লব বুলি আমি আশা কৰিলোঁ। অনুমানেও বহুত সময়ত কাম দিয়ে দেখি হে এই প্ৰবন্ধৰ কেইবা ঠাইতো আমি অনুমানৰ আশ্ৰয় ললোঁ।

———

চিকিম ৰাজ্যত এভুমুকি

ভ্ৰমণ কাহিনী—

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

আগৰ প্ৰবন্ধত উনুকিয়াই অহা হৈছে যে মই দাৰ্জ্জিলিঙত থকা কালডোখৰত দুজনমান বেচ উপাদেয় সঙ্গী লগত পাইছিলোঁ। সৰবৰহী ডেকা মিঃ বীৰেন্দ্ৰসদয় দত্ত বাৰ-এট-ল দেৱৰ উপৰিও আৰু ৩।৪ জনমান ডেকা বন্ধুক তাত পাই দিনকেটা বেচ আমোদতে কটোৱা হৈছিল। দিনে-ৰাতিয়ে অনবৰত মিঃ দত্তৰ লগত সময় কটাই নানা কথা জানি নানা কথা শিকাৰ উপৰিও বিয়লি ফুৰাৰ সময়ত কেবাজনো ডেকা ইঞ্জিনিয়াৰ বন্ধুৰ লগত নানা ধৰণৰ কথা-বাৰ্ত্তা আমোদ-প্ৰমোদেৰে দিনকেটা কটাইছিলোঁ। কেতিয়াবা মোৰ লগত দাৰ্জ্জিলিঙলৈ একেলগে যোৱা মিঃ ৰাজ, কেতিয়াবা তেওঁৰ লগত থকা আমাৰ ইঞ্জিনিয়াৰিং কলেজৰে পৰা গল বছৰত পাচ কৰি যোৱা মিঃ হোৱাইট (Mr. White) আৰু মিঃ প্ৰিয় গুহ বি-ই ; আৰু প্ৰায় সাধাৰণতে দাৰ্জ্জিলিঙৰ ইঞ্জিনিয়াৰ মিঃ সত্যপ্ৰিয় দাস বি-এচ্‌চি (গ্লাচগ') আৰু মিঃ অনিলচন্দ্ৰ দত্ত বি-এচ-চি (গ্লাচগ') দেৱৰ লগতেই সাধাৰণতে ফুৰা-চকা কৰোঁহক। ইঞ্জিনিয়াৰিং কলেজত পঢ়াৰ কাৰণেই নে কি মোৰ লগত ফুৰা দলটো প্ৰায় ইঞ্জিনিয়াৰেই হৈ পৰিছিল। এই কাৰণেই বোধ হয় কথাতে কয় ভেড়াই ভেড়াৰ জাক বিচাৰি হে যায়। আমাৰ দলটোৰ ভিতৰত কেৱল বাৰিষ্টাৰ দত্ত দেৱেই বেলেগ ব্যৱসায়ৰ লোক আছিল।

ইয়াকো আগৰ প্ৰবন্ধত জনোৱা হৈছিল যে আমাৰ ফুৰণ-চাকণত নানা ধৰণৰ কথা আলোচনা হৈছিল ;—তাৰ ভিতৰত ইঞ্জিনিয়াৰিঙৰ বিষয়েই বেছি, পিছে মোৰ বাপ আছিল অন্য এটা বিষয়ত। সেইটো পাঠক-পাঠিকাসকলে নিশ্চয় অনুমান কৰিব পাৰিছে বোধ হয়—সি নতুন ঠাই ভ্ৰমণৰ বিষয়ে প্ৰস্তাৱৰ অলোচনাত। এই খিনিতে উল্লেখ কৰা দৰ্কাৰ যে সেই সকলোৰে ভিতৰত মিঃ দাসে মই যে এজন সৰু-সুৰা ভ্ৰমণকাৰী তাক বাইদেউৰ মুখৰ পৰা আগেয়ে শুনি থৈছিল। এদিন কথাই কথাই সেইটো ওলাই পৰিল আৰু এটা প্ৰস্তাৱ উঠিল—কোনোবা এঠাইলৈ গৈ আমাৰ ভ্ৰমণ-শক্তিৰ বিকাশ কৰা হওক, ইঞ্জিনিয়াৰ দত্তই কথাটো উলিয়ালতে পোন-প্ৰথমে মোৰ পৰাই সৰল অন্তঃকৰণৰ সমৰ্থন পালে আৰু দলৰ সঙ্গী গোটোৱাৰ ভাৰ মিঃ দত্তৰ গাতে পৰিল। দত্তয়ো মানুহ গোটোৱাত লাগি গল।

এনে দৰে কেবা দিনো গ'ল। অৱশেষত আমি পঙা যাত্ৰা হৈ নুঠিব যেন দেখি এদিন মই ভাল দৰে কথাটো দাঙি ধৰিলোঁ। তেতিয়াই ঠিক কৰা হল—তাৰ পিছৰ দেওবাৰেই যোৱা হব। সেই দেওবাৰৰ পিছদিনা সোমবাৰে ইষ্টাৰৰ কাৰণে অফিচাদি বন্ধও আছিল। সেই কাৰণেই বৰ সুবিধা হৈ পৰিল। কাজে কাজে আমাৰ প্ৰায় ঠিক হৈ গল যে দেওবাৰেই সেই ভ্ৰমণৰ অৰ্থে ওলাব লাগিব। আৰু মিঃ দত্তই সঠিক খবৰ মোক শুকুৰবাৰে জনাব বুলি গাত ললে—আৰু দুই-চাৰিজন লগৰীয়া যোগ হয় নে নহয়। এই খিনিতে উল্লেখ কৰা দৰ্কাৰ যে তেতিয়ালৈকে ইঞ্জিনিয়াৰ দত্ত আৰু মই এই দুজন হে যোৱাৰ কথা ঠিক হৈ আছিল।

শুকুৰবাৰে আবেলি পৰত মই ঘৰতে মিঃ দাস আৰু দত্তৰ আগমনলৈ বাট চাই ৰৈ আছোঁ—মনত অত্যন্ত আশাৰ ভাব, কেনেকৈ এই যাত্ৰা সমাধা কৰিব পাৰোঁ। কেতিয়াবা কেতিয়াবা মনতে সন্দেহ হয় কিজানি আমাৰ দুজনৰ লগত আৰু যাবলৈ লগ নেপাই দত্ত নোলোৱাই হয়। এই দৰে ভাবি থাকোঁতেই তেওঁলোক আহি ওলালহি আৰু যিহকে সন্দেহ কৰিছিলোঁ সিয়েই হল ;—

আমাৰ লগত যাবলৈ কোনো নোলাল ; সেই কাৰণে দত্তয়ো যোৱাৰ কথা এৰিলেই, আৰু তাৰেই খবৰ দিবলৈ মোৰ ওচৰলৈ আহিছে। কথা শুনিয়েই মই বৰ হতাশ হৈ পৰিলোঁ, মনৰ আকাঙ্ক্ষা মনতে মাৰ গল! হায়, পৃথিৱীত আকাঙ্ক্ষিত জীৱনৰ আকাঙ্ক্ষা বিফল হোৱাৰ বাহিৰে বিশেষ কষ্টকৰ আৰু বেজাৰৰ বিষয় আৰু কিবা আছে মই কব নোৱাৰোঁ। মই প্ৰায় কন্দনামুৱা হৈ পৰিলোঁ। কিন্তু তথাপি মই আশা এৰা নাছিলোঁ। ইতিমধ্যতে বাৰিষ্টাৰ দত্ত আমাৰ মেললৈ অহাতেই



চিকিম ৰাজ্যৰ বজাৰলৈ গৈ আমি বুট ভজা কিনি খাইছো—
মিঃ দত্তই মোক বুট ভজা নিবলৈ দিছে।

তেওঁক ঘপহ কৰে কৈ পেলালো যে তেৱোঁ যেনে আমাৰ লগত ওলায়। তেঁও হঠাৎ কৈ পেলালে যে তেৱোঁ ওলাব আৰু তাৰ লগতে মিঃ দাসো ওলাবলৈ সাজু হল। তেতিয়াই মোৰ অন্তৰত আকৌ আনন্দৰ সোঁত বৰলৈ ধৰিলে। আমাৰ সকলো ঠিক হল যে আগৰ দেওবাৰ অৰ্থাৎ ২১ এপ্ৰিল তাৰিখে পুৱাই আমি চিকিম ৰাজ্যৰ অভিমুখে যাত্ৰা কৰিম আৰু গধূলি পৰত দাৰ্জ্জিলিঙলৈ ফিৰিম। দিহা হল প্ৰত্যেকেই নিজৰ খোৱাৰ সম্বল নিজে ঠিক কৰি লব আৰু খাবৰ সময়ত সকলোবোৰ একেলগে মিহলি কৰি খোৱা হব। তাৰ লগতে ঠিক হল, পুৱা চাৰে পাঁচ বজাত আমাৰ ষ্টিফেন মেনচনতে (Stephen Mansion) সকলো আহি গোট খাব। এই আলোচনাৰ পিছত তেওঁলোক দিহাদিহি গল আৰু মই পেটে পেটে বাৰিষ্টাৰ দত্তক অন্তৰৰ সৈতে আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰি বাহবা দিবলৈ ধৰিলোঁ, কাৰণ তেখেতেই আমাৰে ভাগি যোৱা সঙ্কল্পক আকৌ আশাময় কৰি তুলিলে।

ৰাতি খাবৰ সময়ত আমাৰ ডিনাৰ টেবোলৰ ওচৰত এই বিষয় লৈ ভীষণ আলোচনা। ভিনীহিদেউ-বাইদেৱে আলোচনা কৰে বাৰিষ্টাৰ দত্তৰ হঠাতে কৰা সঙ্কল্পৰ বিষয়ে আৰু মিঃ দত্তই নিজকে নিজে সমৰ্থন কৰি দেখুৱায় যে তেখেতে সেই যাত্ৰা সুকলমে সমাধা কৰিব পাৰিবই—যদিও তেখেতে নিজে নিজে অলপ সন্দেহো কৰিছিল। সেই আলোচনাত মই কোনো ফালে যোগ নিদি মনে মনে কেৱল দত্তকেই "will-force" দিছোঁ—যাতে তেখেতে মন দৃঢ় কৰি সেই যাত্ৰাত সফল হয়। এই দৰে এদিন গল, মাজতে আছে এৰাতি মাথোন। সময় ওচৰ চাপি অহাৰ লগে লগে মোৰ মনেও কলমলাবলৈ ধৰিলে—মনে মনে অন্তৰে গাই উঠিল—

বাঁহৰ আগত বগলী নাচে
আমাৰ যাত্ৰালৈ এৰাতি আছে।

শনিবাৰে গধূলি আমাৰ আকৌ দেখা হল আৰু তাতে দাসে আমাক জনালে যে আমাৰ দলটোত আৰু এজন বেছি হৈছে। তেখেতৰ নাম মিঃ নিখিল ৰায় চৌধুৰী। তেখেত এজন ইঞ্জিনিয়াৰ—ঢাকা আচানুল্লা কলেজৰ পৰা যোৱা বছৰ পাছ কৰি আহিছে। তেখেতো তাতে থাকে। কথাটো শুনি ভালেই লাগিল, আমি তেতিয়া পাঁচ পাণ্ডৱ হলোঁ। ইঞ্জিনিয়াৰ দত্ত হল যুধিষ্ঠিৰ—যদিও চলন-ফুৰণ, ভাব-ভঙ্গীত তেখেত যুধিষ্ঠিৰৰ স্বভাৱৰ সম্পূৰ্ণ বিপৰীত, মই হলোঁ ভীম—যদিও বয়সত মই সকলোতকৈ সৰু আছিলোঁ, বাৰিষ্টাৰ দত্ত হল অৰ্জ্জুন যদিও তেৱোঁ বয়সত মোৰ ওপৰতে, মিঃ ৰায় চৌধুৰী হল নকুল আৰু মিঃ দাস হল সহদেৱ। এইখিনিতে উল্লেখ কৰি থোৱা যাওক যে আমাৰ দলত আৰু দুজন সোমাই "We are seven" হবৰ কথা আছিল। পিছে মুৰামুৰি সময়ত তেখেতসকলে যাব নোৱাৰিলে। সেই দুই পুৰুষৰ এজন আছিল মিঃ প্ৰিয় গুহ আৰু ইজন দীলিপ নামৰ এজন ছাত্ৰ। আমি

পাঁচজনেই ভাল এটা দল হৈ পৰিলোঁ আৰু পিছ দিনা পুৱা বদ ওলোৱাৰ আগতে ৰাওণা হবলৈ ঠিক কৰিলোঁ, সময় ঠিক কৰা হৈছিল পুৱা চাৰে পাঁচ বজাত। ৰাতি ভাত-পানী খাই উঠাৰ পিছত আমাৰ সজুলি সৰঞ্জাম ঠিক কৰি ললোঁ—বাইদেৱেও আমাৰ দুজনৰ কাৰণে খোৱা বস্তু ঠিক কৰি দিলে, লগতে কিছুমান সুমথিৰা টেঙাও লোৱা হল এটা বেগৰ মাজত ভৰাই।

পুৱা ৪ বজাতেই উঠি মই বাৰিষ্টাৰ দত্তক জগাই দিলোঁ আৰু আমাৰ সকলো টোপোলা-টাপলি গোটাই লৈ সাজু হলোঁ। চাহ খাই আজৰি হওঁ মানেই ৫-৩০ বাজিল—তেতিয়ালৈকে দাসহঁত অহা নাই। লাগিল আকৌ চিন্তা! তেওঁলোকে আমাৰ লগত ধেমালিকে কৰিলে নে কি? নহয়, তেওঁলোকৰ কিবা অসুবিধাই হল নে কি? এনে উৎকণ্ঠাৰ মাজেদিয়েই মই ৬ বজাত মিঃ দাসহঁতৰ ঘৰলৈ গলো আৰু গৈ দাসক 'ব্ৰেকফাষ্ট' টেবোলতে পালোঁগৈ আৰু লগতে তেওঁলোক তিনিওজনকে পালো। ইতিমধ্যতে বাৰিষ্টাৰ দত্ত ওলালগৈ। আমি তাৰ পৰাই ৰওণা হৈ আকৌ "ষ্টিফেন মেনচন" পালোঁহি। বাহিৰলৈ ওলায়েই বতৰটো বৰ ফৰফাল দেখি অত্যন্ত উলাহ আৰু আনন্দ লাগিবলৈ ধৰিলে; বোধ হয় দাৰ্জ্জিলিঙত মই থকাৰ ভিতৰত সিদিনাই সকলোতকৈ বেছি ফৰফাল বতৰ হৈছিল। আমি "Morning shows the day" বুলি চিঞৰি উঠিলোঁ। প্ৰায় ৬-৫০ মিনিত যোৱাত আমি ৰাওণা হলোঁহক। ইতিমধ্যতে আমাৰ পাঁচোজনৰে ফটো এখন ভিনীহিদেৱে ললে আৰু তাৰ পিছত বাইদেউ-ভিনীহিদেউৰ উদগণিৰ জোলোকনি লৈ আমি ৰাওণা হলোঁ। আলি ওলায়েই মই কৈ উঠিলোঁ—One for all, all for one"—আৰু তেওঁলোকেও তাকেই গাই চিঞৰি উঠিল।

আমি আমাৰ 'ষ্টিফেন মেনচন'ৰ পৰা ওলাই চৌৰাস্তাৰ পৰা এটা একতীয়া হৈ যোৱা আলিয়েদি নামিবলৈ ধৰিলোঁ, সেই দৰেই তললৈ নামি নামি গৈ চিকিম ৰাজ্য পালোগৈ—কতো সমান বা ওখ ঠাই পাবলৈ নহল। বৃটীছ সাম্ৰাজ্যৰ সেই ১৫ মাইল বাট সেই একে গৰাতে নামি আমি দাৰ্জ্জিলিঙৰ পৰা ৩০০০ ফুট তললৈ নামিব লগা হৈছিল। প্ৰথমতে চৌৰাস্তাৰ পৰা এঢলীয়া কাটি নামিয়েই এখন ডাঙৰ নেপালী বস্তি পালোঁ আৰু তাৰ ওচৰতে এখন ভুটীয়া বস্তিও আছে। ভুটীয়া বস্তিৰ মাজতে এটা ডাঙৰ বৌদ্ধ মন্দিৰ আৰু এখন সমাধিস্থান দেখিবলৈ পোৱা হৈছিল। তাৰ পৰা অলপ দূৰ গৈয়েই বিখ্যাত 'লেবং' (Lebong) ঘোৰদৌৰৰ পথাৰ আৰু সৈন্যৰ চাউনীলৈ যোৱা আহল-বাহল আলিটি পোৱা যায়। আমি সেই আলিয়েদি গৈ বিখ্যাৎ 'লেবং' পথাৰ পালোঁগৈ আৰু তাৰ মাজেদিয়েই পাৰ হৈ নামিবলৈ ধৰিলোঁ। তেতিয়া প্ৰায় ৭-৫০ মিনিটমান হৈছিল।



ৰঙ্গীত নৈৰ মাজত থকা শিলৰ ওপৰত বহি ধেমালি কৰাৰ দৃশ্য

লেবং পাহাৰৰ পৰাই বহুত দূৰৈত চিকিম ৰাজ্যৰ পাহাৰ দেখিবলৈ পোৱা গৈছিল। মানুহে সেয়াই চিকিম ৰাজ্য বুলি আঙুলিয়াই দেখুৱাত আমি ভাবিলো নিচেই ওচৰতে আছে। পিছে আমাৰ কথাতেই আছে বোলে,—

"দিনৰ পৰ্ব্বত ৰাতিৰ জুই।
তাক নেখেদি থাকিবা শুই॥"

ঠিক সেয়েই, দিনৰ পৰ্ব্বত নিচেই ওচৰত থকা যেন দেখিলেও খোজ কাঢ়ি গলে বাটডোখৰ নেযায়-নুপুৱায় যেন লাগে। আমি লেবঙৰ পৰাই অকাই-বকাই যোৱা কেঁকুৰী দীঘলীয়া আলিটি বহুত দূৰলৈকে যোৱা দেখিবলৈ

পাই মনটো ভাল লাগি যাবলৈ ধৰিলে। এনেই পৰ্ব্বতীয়া বাট তাতেই একেৰাহে নামি যাব লগা গৰা। সেই কাৰণে অলপ দূৰ গৈয়েই আমাৰ ভাগৰ লাগিবলৈ ধৰে। ভাগৰ লাগিলেই কমলা টেঙা এটা বখলিয়াই খাবলৈ দিহা কৰোহঁক। ইতিমধ্যতে মোৰ এটা দুৰ্ঘটনাও ঘটিল। মই পিন্ধি যোৱা জোতা-যোৰৰ সোঁপাত জোতাই মোৰ ভৰিৰ দপ্‌দপনি সহিব নোৱাৰি ফাট মেলি দিলে। লাগিল মোৰ কলৌজপৌ, পিছে মই কথাষাৰ কৈ দিলেই মোক উলটি যাবলৈ কয় বুলি ভয় কৰিয়েই কাকো কোৱা নাছিলো।



বৃটীছ ৰাজ্যৰ সীমান্ত পাহাড়ৰ পৰা দেখা বিখ্যাত ৰঙ্গীত নৈ আৰু চিকিমৰ অন্তীম সীমা—এই নৈ পাৰ হৈয়েই আমি চিকিম ৰাজ্যত সোমাইছিলো।

তাৰ লগে লগে যেতিয়া ইঞ্জিনিয়াৰ দত্তই তেওঁৰ গাৰ শক্তি দেখুৱাবলৈ গৈ খৰকৈ খোজ কাঢ়ি প্ৰতিযোগিতাৰ কাৰণে আহ্বান কৰে তেতিয়াতো তেওঁৰ অভিমানপূৰ্ণ আহ্বান নিশ্চয় গ্ৰহণ কৰিব লাগিবই। হয় বাৰিষ্টাৰ দত্ত নহয় মই তেওঁৰ লগত সমানে সমানে খোজ পেলাই (আৰু কেতিয়াবা অলপ কোবেৰেও) তেওঁৰ দৰ্প চূৰ্ণ কৰাত পিছ নোহোঁহোকো। সাতে-পাঁচে মোৰ দুৰ্ভগীয়া পাদুকাৰ মুখ লাহে লাহে বহলকৈ মেল খাই যাবলৈ ধৰিলে। তথাপি কাকো কোৱা নাই।

এনে দৰে এটা অসুবিধাৰ বোজা গাত লৈ মই যোৰ মাৰি যাব লগা হৈছিলো। বাটে বাটে বহুত চাহ গছ পাই গৈছিলো। এবাৰ এখন চাহ বাগিচাৰ মাজেদি এটা সৰু বাটেদি মই আৰু ইঞ্জিনিয়াৰ দত্তই ফালৰি কাটি বাট চমু কৰি যাওঁতে গৈ কোনোবা এডোখৰ ঠাই ওলালোগৈ। ভাগ্যে আমাৰ সঙ্গীসকলক আকৌ লগ ধৰিব পাৰিলোহি। তাৰ পৰা অলপ দূৰ গৈয়েই বাদাম্‌তাম্ (Badamtam) নামেৰ বৃটিছ ৰাজ্যৰ শেষ সীমাৰ ঠাই এখন পালোগৈ। তেতিয়া ৯-৪৫ মিনিট হৈছে—আমি ৰাওণা হোৱাৰ পৰা ঠিক তিনি ঘণ্টা সময়ত ১৩ মাইল বাট গলো। বেছ ভালেই গৈছিলো। এই বাদামতামত এখন চাহ বাগিচা আছে। তাত চাহৰ কলঘৰো আছে। আমি চাহ বাগিচাৰ মাজেদি গৈ গৈ এডোখৰ ঠাণ্ডা ঠাই পালোগৈ। ইতিমধ্যতে প্ৰতিযোগিতাৰ আহ্বানত পৰি দুই দত্ত আমাতকৈ আগ বাঢ়িল। আমি গৈ এটা ঝৰণাৰ পাৰত বহিলো। ক্লান্ত পথিকৰ পিপাসাতুৰ কণ্ঠত অমিয় সুধা হিচাপে আমি সেই ঝৰণাৰ পানী খাই গা শান্ত কৰিলো আৰু লাহে লাহে খোজ চলাই দিলো। দুই দত্তয়ো গৈ আগত এডোখৰ ঠাইত আমালৈ অপেক্ষা কৰি ৰৈ আছে। আমি গৈ পাওতে আকৌ বীৰদৰ্পে আগ বাঢ়িলো। এই বাৰ ইঞ্জিনিয়াৰ দত্ত আৰু মোৰ প্ৰতিযোগিতা। বাটত জিৰাই শতাই পানী-দুনি খাই গাত বল পাই যোৱাৰ কাৰণে ময়েই জিকিলো—এই কাৰণেই কয় বোধ হয়—"Slow and steady wins the race"

হাবিৰ মাজেদি তাৰ পৰা অলপ দূৰ গৈয়েই আমি বাদাম্‌তাম্ ডাক বঙলা আৰু বজাৰ পালোগৈ। তাৰ আগতে আমি এখন ফটো লব খুজিছিলো। অলপ দূৰৈত পাহাৰৰ পৰা নামি অহা দুজনী নেপালী ছোৱালীক দেখি আমি ভাবিলো—সিহঁতৰ সৈতে ফটোখন লোৱা হওক। সেই মতেই সিহতলৈ অপেক্ষা কৰা হল। সিহঁত আহি যেতিয়া আমাৰ ওচৰ পালেহি তেতিয়া আমাৰ ৰায় চৌধুৰীয়ে নেপালী ভাষাতে কাঞ্চীক ফটো লবলৈ মাতিলে। সিহঁতে আমাৰ অনুৰোধ প্ৰত্যাখ্যান কৰি এঢলীয়া কাতি গুচি গল। সিহত যোৱাৰ লগে লগে আমাৰ মাজত এক তীব্ৰ সমালোচনা হৈ গল। পৰ্ব্বতীয়া

ছোৱালীৰ ইমান অভিমান নে? তাৰ লগে লগে আৰু এটা কথাৰ ৰস উলিয়াই ৰায় চৌধুৰীক বহুৱা কৰা হল। আমি সকলোৱে ৰায় চৌধুৰীক দোষ দিবলৈ ধৰিলো—কিজানি তেওঁ কিবা নকব লগীয়া কথা দোৱানত কৈ কাঞ্চীহঁতক অসন্তোষ দিলে; আৰু তাৰ লগে লগে ভয় লগাই দিলো যে এতিয়া ৰায় চৌধুৰীক সেই কাঞ্চীৰ খেলৰ মানুহে আক্ৰমণ কৰি পিতিব, কাৰণ তাহাঁতে সেই কথা গাৱৰ মানুহক কবলৈ আমাতকৈ আগ বাঢ়ি গৈছে। এই দৰে ভয় খুৱাই ৰায় চৌধুৰীক "বোকা বনাই" আমি ধেমালি কৰিবলৈ ধৰিলো। মুঠতে আমাৰ ফটো লোৱা হল—কিন্তু কাঞ্চীহঁতক নোলোৱাকৈ লব লগাত পৰিল। সেই কাৰণে আমি বিমৰ্ষ।

ৰায় চৌধুৰীক "বোকা বনাই" ধেমালি কৰি কিছুদূৰ যোৱাৰ পিছতেই আমি এটা আদহীয়া, ৰস লগা কথা কব পৰা নেপালী পালো। তাৰ নাম তেগবাহাদুৰ। সি আমাৰ লগত বেছ মিলি গল। সিয়ো আমাৰ লগত চিকিম ৰাজ্যৰ পামলৈ যাব। সেই কাৰণে সি আমাৰ বঢ়িয়া সঙ্গী হৈ পৰিল। তাৰ লগত অনেক ধৰণৰ ৰসাল কথা হৈ যাবলৈ ধৰিলো আৰু সকলো কথাতে সি আমাক বেছ হঁহুৱাই গৈছিল। বাৰিষ্টাৰ দত্তই এই সময়তে চেগ বুজি তেওঁৰ নিজৰ বাক্‌শক্তিৰ প্ৰয়োগ নকৰাকৈ নেথাকিল। এনেয়ে আটাই কেজন "আমি ডেকা লৰা," তাতে পৰিল আকৌ এটা ৰসাল মানুহৰ সঙ্গত—তেনে অৱস্থাত কিমান মুকলি ভাবে আৰু বান্ধ নৰখাকৈ কথাৰ আলোচনা হৈছিল তাক নেদেখাজনে হে কব পাৰিব। লিখকে তাৰ পুনৰাভিনয় কৰিবলৈ অক্ষম। সেই কথা-বোৰৰ একো লাগ-বান্ধ নেথাকিলেও আমি সেই ডোখৰ বাট অত্যন্ত ৰং-তামোচাৰে যাব পাৰিছিলো আৰু সেই কাৰণে অলপো ভাগৰ অনুভৱ কৰা নাছিলো। আৰু তাৰ লগে লগে আমাৰ লগত এজন ভাল পথপ্ৰদৰ্শকো (guide) পাইছিলো। সেই তেগবাহাদুৰৰ সাহায্যতে আমি অনেক দীঘলীয়া বাট হাবিতলীয়া বাটেদি চমু কৰি কৰি গৈছিলো। এই দৰে বাদামতাম্ বজাৰৰ প্ৰায় দু মাইল মান গৈয়েই আমি বৃটীছ ৰাজ্যৰ শেষ পাহাৰৰ মূৰ পালোগৈ। সেই পাহাৰ আৰু চিকিম ৰাজ্যৰ পাহাৰৰ মাজত এখন পৰ্ব্বতীয়া নৈ বৈ গৈছে—এই নৈৰ নামেই ৰঙ্গীত নৈ। এই নৈয়েই বৃটীছ আৰু চিকিম ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰিছে। আমি সেই পাহাৰৰ পৰাই তলত থকা নৈখন দেখিবলৈ পালো। সেই শেষ সীমাতে কেবাটাও আলি কেবা ফালে গৈছে। এটা বাট তিস্তা উপত্যকাৰ ফালে গৈছে আৰু এটা চিকিম ৰাজ্যলৈ গৈছে। সেই আলিকিটা যত লগ লাগিছে সেই খিনিতে পুলিচৰ (বৃটীছ) আউট-পোষ্ট (outpost) এটা আছে। তাতে এটা সৰু জেইলো (Jail) আছে। চিকিম ৰাজ্যলৈ পাৰ হৈ যোৱা এখন ওলমি থকা দলং তাৰ পৰা প্ৰায় ৫০০ ফুট তলত দেখিবলৈ পোৱা যায়। আমি সেই বাটেদি ঘূৰি সেই দলংমুৱা হৈ নামিবলৈ ধৰিলো। তেগ-বাহাদুৰ আৰু বাৰিষ্টাৰ চাহাবৰ ৰসপূৰ্ণ কথাৰ আলোচনা আকৌ পূৰ্ণ মাত্ৰাই চলিল।



পদব্ৰজে ভ্ৰমণ কৰি যাওঁতে বাদামতামৰ ওচৰৰ আলিত—ওপৰত নেপালীৰ বস্তি।

অলপ দূৰ গৈয়েই আমি হাবিৰ মাজেদি এটি লুঙলুঙীয়া বাটেৰে চমু কাটি যাবলৈ ধৰিলো। এই বাটটো বৰ থিয়। ছিলঙৰ চুইট (Sweet falls) ফলচলৈ নামি যোৱা বাটৰ সমানেই গৰা। আমি ৰসপূৰ্ণ কথাৰ মাজেদিয়েই নামি

যাবলৈ ধৰিলো। ইতিমধ্যতে আমাৰ দলৰ ভিতৰত দুজনীমান নেপালী তিৰোতা কোচত কেচুৱা লৈ আমাৰ লগ ধৰিলে। লগতে দুজনীমান কাঞ্চীও। এই হেন বৃহৎ দলটো পাই আমাৰ কথাৰ চেও আৰু বাঢ়িবলৈ ধৰিলে আৰু তেগবাহাদুৰেও বেছ ৰস লগাই যাবলৈ ধৰিলে। হাবিৰ মাজৰ বাটতে আকৌ প্ৰস্তাৱ হল—এখন ফটো তোলা। এই বাৰ আমাৰ তেগ বাহাদুৰকে কটকী পাতি আমাৰ অনুৰোধ পেচ কৰা হল। প্ৰথমতে তেওঁলোকে চুচুক-চামাক কৰিছিল যদিও পিছত মান্তি হল ফটোত উঠিবলৈ। ফটোও লোৱা হল। ঠাইখন ওখোৰা-মোখোৰা হোৱাৰ কাৰণে মিঃ ৰায় চৌধুৰী আৰু মিঃ দাস তেওঁলোকৰ আগ ফালে ভৰিৰ ওচৰত বহিব লগা হল। তাতে বাৰিষ্টাৰ দত্তৰ যোজনাপূৰ্ণ কথা উঠিল—"তব চৰণ তলে" গানটোৰ দুশাৰীমান আবৃত্তিও হল। আকৌ হাঁহিৰ খলকনি উঠিল। এই খিনিতে মিঃ দাসৰ



হাবিৰ মাজেদি বাট উলিয়াই আহি আমি প্ৰধান আলিৰ ওপৰত জিৰাইছো।

এটা ৰোমান্স হল। নেপালী তিৰোতা কেজনীয়ে ফটোত নমাৰ আগতে এটা চুক্তি দিছিল যে যদি তাহাঁতকো এটা এটা কপি ফটো দিয়া হয় তেন্তেহে ফটোত উঠিব। তেতিয়া দাসে তপৰাই মাত লগালে যে তেওঁ নিশ্চয় দিব। তেতিয়া সিহঁতৰ এজনীয়ে (অৱশ্যে কাঞ্চী) কৈ উঠিল যে সিহঁতৰ নানী বাবুৰ ঘৰলৈ গলেই সিহঁতক পাব আৰু তাতেই দি আহিব লাগিব। মিঃ দাসেও চিধা মানুহ



এই ওলমি থকা সাকোৱেই (Hanging Bridge) বৃটীছ ৰাজ্যৰ লগত চিকিম ৰাজ্যক লগ লগাইছে—তলত ৰঙ্গীত নৈ।

হিচাপে কৈ থলে যাম বুলি। এই কথা লৈয়েই আকৌ আমাৰ মাজত হাঁহি আৰু ঠাট্টাৰ উজান উঠিল। তেতিয়াৰে পৰা দাসক "নানী বাবুৰ জামাই" বুলি জোকোৱা হল। এয়েই হল মিঃ দাসৰ ৰোমান্স।

এনে ধৰণৰ নানা ঠাট্টা-মস্কৰাৰ মাজেদি নানা ৰং-ধেমালি কৰি সেই হাবিতলীয়া বাটেদি গৈ ঠিক ওলমি থকা দলংখনৰ ওচৰ পালোগৈ। তাতে এটা চন্তৰী ঠিয় হৈ থকা পালো আৰু ওচৰতে এখন চাইন-বোৰ্ডত (sign board) দেখা পালো যে ভাৰতীয় বা চিকিম ৰাজ্যৰ মানুহৰ বাহিৰে কোনো য়ুৰোপীয় বা অন্য ঠাইৰ মানুহৰ কাৰণে বিনা লিখিত অনুমতিৰে এই দলং পাৰ হৈ যোৱা নিষেধ। সেই নিয়ম দেখি আচৰিত হলো। বগা চামৰাৰো এনে দশা? তেতিয়া হে মনলৈ আহিল যে যি ৰাজ্যত সোমাবলৈ গৈছো সি দেশীয় ৰজাৰ ৰাজ্য। তাৰ মানুহবোৰ স্বাধীন-চিতীয়া, আমাৰ নিচিনা লোকৰ দাস নহয়। হায়, আমাৰ দেশো এনে স্বাধীন থকা হলে এনে ধৰণৰ ধৰা-বন্ধা নিয়ম আমাৰ ইচ্ছাতেই কৰি লব পাৰিলোহেঁতেন। তেতিয়াই গোটেই শৰীৰকে এটা ভাবে নিৰাশ কৰি তুলিলে—সেইটোৱেই হৈছে

আমাৰ পৰাধীন অৱস্থা। ক্ষন্তেকৰ পিছতে ভাব আহিল—মই যদিও এখন স্বাধীন ৰাজ্যত সোমাইছোহি তথাপি মই যে পৰাধীন। সেই মুহূৰ্ত্ততে পৰাধীনতাৰ শিকলিয়ে মোৰ অন্তৰ বান্ধি পেলালে।

যেতিয়া দেখিলো যে আমাৰ যাবৰ কাৰণে তাত কোনো বাধা নাই তেতিয়া আমি সেই ওলমি থকা দলঙেদি সিপাৰলৈ গলো। গৈয়েই নতুন বতাহ সেৱন কৰিবলৈ পালো। ক্ষন্তেকৰ কাৰণে আকৌ ভাবিলো—মই স্বাধীন! যদিও এই ভাব ক্ষন্তেকীয়া তথাপি ই বেছ উপাদেয়। ইতিমধ্যতে কিছুমান য়ুৰোপীয় গোৰা চিপাহী দলঙৰ সিপাৰে বৃটিছ ৰাজ্যৰ ভিতৰতে তলৰ নৈত গা ধুইছে।



পৰ্ব্বতীয়া নৈৰ বুকত পৰি থকা শিল তুলি পানীত পেলাই আনন্দ ভোগ কৰাৰ দৃশ্য।

সিহঁতক দেখি আকৌ ভাব হল—ইহঁত এতিয়া পৰদেশী আৰু আমি স্বদেশী; কাৰণ ইহঁতক নৈৰ ইপাৰ হবলৈ তো নিদিয়ে! দলঙৰ মাজ পায়েই তললৈ চোৱাত মূৰ ঘূৰোৱা যেন লাগিল। দলংখনেদি কেৱল মানুহ আৰু ঘোৰা হে যাব পাৰে। গাৰী আদি একো যাব নোৱাৰে। দলঙৰ মূৰতে এখন চিকিম ষ্টেটৰ চাইন-বৰ্ড দেখিলো। তাত এনে দৰে লিখা আছে!—Rungpow—24 mile.

Manghitar—0 mile.

তেতিয়াই বুজিলো যে সেই ঠাইখনৰ নাম মাঞ্জিতাৰ (Manghitar)। সেই দলঙৰ মূৰ পওতে বৰ ভাগৰ আৰু ভোক লাগি আহিবলৈ ধৰিলে। তেতিয়া তেগ-বাহাদুৰে আমাক ওচৰৰ জিৰণি ঘৰলৈ যাবলৈ মাতিলে। আমাৰ আৰু খোজ কাঢ়িবৰ মন নগল—সিয়ো নেৰিলে। অৱশেষত সি যেতিয়া কলে যে ই নিচেই ওচৰতে তেতিয়া আমি তাৰ কথা মতেই হেলেং পেলেং কৈ গলো আৰু থৈ ঠিক সি কোৱা মতেই বেছ ধুনীয়া জিৰণি ঘৰটো পালোগৈ। ঘৰটো পায়েই আমি গাৰ পৰা টোপোলা, টাপলি খহাই তাত থকা বেঞ্চ, চকি আৰু কেম্পবেড যতে যি পালো তাতে লাং খাই দীঘল দি পৰিলোহঁক, আৰু এনে দৰেই প্ৰায় আধা ঘণ্টামান পৰি কটালো কোনেও কাকো মাত বোল নকৰাকৈ।

আমি লাং খাই পৰি থকা সময়তেই আমাৰ পথ-প্ৰদৰ্শক বন্ধু তেগবাহাদুৰে ওচৰৰ বজাৰৰ পৰা কিছুমান কল আৰু অমিতা দুটা আনি উলিয়ালেহি। আমি সেই কল দুআৰি বান্দৰে খোৱাদি টপাটপ মুখত সুমাবলৈ ধৰিলো, অমিতাটোও কাটি খোৱা হল। তেগ্‌বাহাদুৰে তাৰ দাম ।৵০ অনা বুলি কোৱাত আমি তাৰ লগতে আৰু ।৵ অনা বেছি বক্‌চিচ হিচাবে দি তেগবাহাদুৰক বিদায় দিলোঁ। তেগবাহাদুৰেও খুচি মনেৰে বিদায় ললে, কাৰণ তাৰ এদিনৰ হাজিৰা বিনা খাটনিতে পাই গল। লগে লগে আমি এজন ৰসিক সঙ্গীও হেৰুৱালো। তেগবাহাদুৰক আমাৰ পৰা বিদায় দিয়াৰ লগে লগে এষাৰ কথা উনুকিয়াই থোৱা যাওক যে তাক আমি টাইগাৰ বাহাদুৰ বুলি হে মাতিছিলো, কাৰণ বাটত এবাৰ মই ইংৰাজীৰে বাঘৰ নাম 'টাইগাৰ বুলি কওঁতে সি চিঞৰি উঠিল—তাৰ নাম 'টাইগাৰ' বাহাদুৰ নহয় তেগবাহাদুৰ হে সেই কাৰণে আমি তাৰ নাম টাইগাৰ বাহাদুৰ দিলো।

টাইগাৰ বাহাদুৰে আমাৰ পৰা বিদায় লোৱাৰ লগে লগে আৰু এটা বাহাদুৰে তাৰ ঠাই পূৰালে। তাৰ নাম মনবাহাদুৰ। সিয়েই সেই জিৰণি ঘৰৰ চকিদাৰ। তাৰ হতুৱাই পানী-দুনী অনাই মুখ-হাত ধুই আমি আমাৰ লগত নিয়া খোৱা বস্তুৰ দিহা লগাবলৈ ধৰিলো। খাই-বৈ উঠি বৰ ভাগৰ লাগিল। তেতিয়া ইঞ্জিনিয়াৰ দত্ত আৰু দাসে লগত নিয়া জিনজাৰ বিয়েৰৰ (Ginger Beer) বতলটো খুলি তেওঁলোকে খালে। মই জীৱনত সেই বস্তুটো,

চুৰট আৰু তামোল-পান কেতিয়াও খোৱা নাই। অনেক ঠাইত অনেক মানুহৰ অনুৰোধ উপেক্ষা কৰিব লগাতো পৰিছো। মিঃ দত্ত আৰু দাসে এক কাপ মোলৈ আগ বঢ়ালে। মই বিমোৰত পৰিলো। আগেয়ে কৈ অহাৰ গততেও নেখাওঁ বুলি প্ৰথমতে কলো। তাৰ পিছত যেতিয়া তেওঁলোকে দৰব হিচাপে আৰু গাটো ভাল লগাবৰ কাৰণেই খাবলৈ কলে তেতিয়া আৰু কথা পেলাব নোৱাৰিলো। জীৱনৰ ভিতৰত প্ৰথম বাৰলৈ মুখলৈ নিলো আৰু লগে লগে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো এয়েই যেন জীৱনৰ শেষ বাৰো হয়। কাপটো মুখত দিয়েই মুখ বিকটাই পেলালো—বিহ-ফুল যেন তিতা আৰু কেহা। মনতে ভাব হল—ইয়াকে খাবলৈ মানুহৰ ইমান হাবিয়াস!



পুৱাৰ ফৰকাল বতৰত ৰ'দৰ জিলিঙনি পৰা দূৰৈৰ কাঞ্চনজঙ্ঘা টিং—এনে ধৰণৰ ফৰকাল বতৰ মই দাৰ্জ্জিলিঙত থকাৰ ভিতৰত সিদিনাই বেচি যেন দেখা গৈছিল—২১ এপ্ৰেল ১৯৩৫ চন।

মোৰ এই প্ৰথম বাৰেই মোক আৰু দৃঢ় কৰি তুলিলে। তেতিয়া দেখা হ'ল—ইনো মোৰ গাত কি বিশেষ শক্তি দিয়ে। পিছত দেখা গ'ল—একো নাই। সেই সময়ত মোৰ অন্তৰত এটা ভাবে খুন্দিয়াবলৈ ধৰিলে; মই কি কাম কৰিলো। হিন্দুৰ অখাদ্য বস্তু এটা খালো। পিছত মই ভাবিলো যে মই ঠিক কামকে কৰিলো—জীৱনৰ কাৰণে এটা নতুন বস্তুৰ সোৱাদ ললো আৰু তাৰ লগতে সেই বস্তুৰ পৰা বিৰত থাকিবলৈ সঙ্কল্পও কৰিলো। মোৰ কাৰণে ই এটা শিক্ষা হে।

আমি ভোজন শেষ কৰিলতে মনটো বৰ ভাল লাগিবলৈ ধৰিলে আৰু সেই জিৰণি ঘৰৰ সৌন্দৰ্য্যই আমাক মোহিত কৰি তুলিলে। ঘৰটো এটা টিলাৰ ওপৰত আৰু তিনিওফালে ৰঙীত নৈয়ে বেৰি আছে—ৰঙীত নৈয়ে সেই খিনিতে এটা ডাঙৰ পাক লৈ সেই টিলাটোক এটা আগীয়াঠুঁটি যেন কৰি তুলিছে। তেনে ঠাইত থকাৰ কাৰণে টিলাটোৰ ওপৰৰ জিৰণি ঘৰত যথেষ্ট ফিৰফিৰীয়া বতাহ পোৱা যায়। ওচৰৰ নৈখনো তাৰ পৰা বেছ সুন্দৰ দেখি। বৃহৎ হাবিৰ মাজৰ পৰা জিলি আৰু নানা সৰু সৰু চৰাইবোৰে মধুৰ সুৰত গান ধৰিছে। ঠাইখন দাৰ্জ্জিলিঙতকৈ অনেক গৰম আৰু চাৰিওফালে নিজঞ্জাল কাৰণে বেচ শান্তিপ্ৰদ। ওচৰতে তলত কেৱল দুঘৰমান বেপাৰী আৰু তাতে এখন হাটো বহে। তাৰ ওচৰতে এটা নাম ঘৰো। সেই নাম-ঘৰক তাহাঁতে মন্দিৰ বোলে, যদিও তাৰ পাৰিপাৰ্শ্বিক অৱস্থা আৰু গঠন দেখিবলৈ অসমীয়া নাম ঘৰৰ নিচিনাই। মুঠতে সেই ঘৰটি এখন হাবিৰ মাজৰ আশ্ৰমৰ নিচিনা; আৰু সেই কাৰণে আমাৰ মন হৈছিল তাতে কিছুদিন আমি কটাই আমাৰ তাপিত নগৰীয়া জীৱনৰ অলপ ভাগৰ পলাওঁ। পিছে তাকে হবলৈ অনেক অসুবিধা। প্ৰথমতে আমি এৰাতি থাকিবলৈকো লগত যথেষ্ট বস্তু বাহানি অনা নাছিলো। দ্বিতীয়তে বাৰিষ্টাৰ দত্ত আৰু মোত বাদে আটাই কেজনেই মঙ্গলবাৰে অৰ্থাৎ তাৰ পিছ দিনাৰ পিছদিনা অফিচ কৰিব লাগে। তাতে আকৌ ইঞ্জিনিয়াৰিং অফিচ—নাম শুনিলেই ভয় লাগে। এক কলেজতেই যি খাটনি তাক নিজেই পাইছো—তাতে আকৌ অফিচ। আৰু ইফালে মই বুধবাৰে মোৰ কলেজলৈ ৰাওণা হব লাগে। সাতে-পাঁচে আমাৰ মনৰ আকাঙ্ক্ষা মনতে মাৰ যাব লগা হল। পিছে যেনিবা অৱশেষত এটা সিদ্ধান্তত পৰা হলগৈ। আমি অনেক ভাবি-চিন্তি তাত এৰাতি কটোৱাকে থিৰ হল—যদিও বিছনা-পাতিৰ কাৰণে আমি আমাৰ লগত এখন বাহিৰা কাপোৰো অনা নাছিলো।

কিন্তু সেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ আকৰ্ষণত মাত্ৰ এৰাতি কোনো মতে যতে ততে পৰি থাকি হলেও আমাৰ মনৰ হেপাহ পূৰণ কৰা যাওক। এয়েই প্ৰস্তাৱ উঠিল, আৰু সকলোৱে সমৰ্থন কৰিলে, যদিও মিঃ ৰায় চৌধুৰীয়ে ঘৰত খবৰ দি নহাৰ কাৰণে অলপ দোধোৰ-মোধোৰ কৰি আছিল। আমাৰ ৰাতিটো থকাৰে ঠিক হল। মনবাহাদুৰে ইতিমধ্যতে আমাক কলে যে এখন চিঠি লিখি দিলে সি দাৰ্জ্জিলিঙলৈ যোৱা মানুহ এটাৰ হাতত পঠাব পাৰে। আমি বৰ ভাল পালো। বাৰিষ্টাৰ দত্তই ভিনীহিদেউলৈ সকলো কথাৰে এখন চিঠি লিখিলে আৰু আমি ৰাতি থকাৰ খবৰো দিলে। লগতে ৰায় চৌধুৰীৰ ঘৰত খবৰ দিয়াবলৈকো লিখিলে। চিঠিখন মন বাহাদুৰে লৈ গল আৰু আমি টকালি পাৰি আনন্দত নাচি উঠিবলৈ ধৰিলো। ইতিমধ্যতে আমি জিৰণি ঘৰৰ 'ভিজিটৰচ বুক (Visitors Book) টো মেলি চাই তাত দুটামান কথা দেখি আচৰিত নহৈ নোৱাৰিলো আৰু তাৰ লগতে বৰ ভালো লাগিল। এনে ধৰণৰ মানুহ যে বৰ্ত্তমান সময়ত থাকিব পাৰে তাক আমি অনুমান কৰিবই নোৱাৰো। 'ভিজিটৰচ বুক'ৰ প্ৰথম পৃষ্ঠাতে যেনে দৰে লিখা আছে তাৰ অসমীয়া তৰ্জ্জমা মই তলতে দিলো আৰু তাকে পঢ়িলেই পাঠক-পাঠিকা সকলে নিজে বুজিব পাৰিব।

"চিকিমৰ এলেকাৰ মাঞ্জিতাৰৰ এই জিৰণি ঘৰটো মোৰ নিজৰ সম্পত্তি। এই ঘৰত সকলো অতিথি আৰু কৰ্ম্মচাৰীয়েই তেওঁলোকৰ ইচ্ছামতে এদিন বা দুদিন থাকি যাব পাৰে আৰু তাৰ কাৰণে মোৰ কোনো অনুমতি লব নেলাগে।

(ক) বঙলাত থকাৰ কাৰণে কোনো ফিছ দিব নেলাগে। ই সকলোৰে কাৰণে মুকলি ৰখা হৈছে।

(খ) খৰিৰ কাৰণে নাইবা পানী যোগোৱাৰ কাৰণে ফুটাকড়ি এটাও দিব নেলাগে।

(গ) যদি চৌডাপানী বা মিঠাপানী ভৰালত জমা থাকে, তাক খালে কোনো দাম আদি দিব নেলাগে।

(ঘ) ঘৰৰ চাকিৰ কাৰণে পইছা-পাতি দিব নেলাগে। ইয়াকো এনেয়ে দিয়া হয়।

(ঙ) নিজ ইচ্ছা মতে মেতোৰক বক্‌চিচ দিব পাৰে। এনেয়ে তাক একো দিব নেলাগে।

(চ) যদি ঘৰত থকা গিলাচ, কাপ, প্লেট, চামোচ ইত্যাদি যি কোনো বস্তুৱেই কেনেবাকৈ ভাগে তেনেহলেও তাৰ কাৰণে কোনো ক্ষতি পূৰণ দিব নেলাগে। যদি বন্ধুবৰ্গই বা অতিথিসকলে ইচ্ছা কৰে তেন্তে ঘৰৰ পৰা সেই ভগা বস্তুৰ কাৰণে সেই বস্তু পঠাই দিব পাৰে—সিয়ো নিজৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। ইতি

(স্বা) বালকিষণ কাচাজী

কাউন্সিলৰ চিকিম ষ্টেট

মনঠাম্ চিকিম পোঃ আঃ ৰং পোঃ

প্ৰধান কটেজ বা নং১ দাৰ্জ্জিলিং

[পিতা—স্বৰ্গীয় ৰায় চাহাব হৰিদাস প্ৰধান)

এই কথাখিনি পঢ়ি আমাৰ মনটো বৰ ভাল লাগিল। তাৰ লগতে জানিব পাৰিলো যে এই দানবীৰৰ ঘৰ চিকিমতেই। তেওঁৰ ভায়েক এজন (মিঃ প্ৰধান) আমাৰ



ক্লান্ত পথিকৰ পিপাসিত কণ্ঠত অমিয় সুধা—বহুত দূৰ খোজ কাঢ়ি গৈ লিখক আৰু মিঃ দাসে এটি নিজৰাত পানী খাইছে।

ইঞ্জিনিয়াৰিং কলেজতে পঢ়ে। সেই কাৰণে মোৰ আৰু ভাল লাগিল। আমি ৰাতি থকা-মেলাত একো খৰচ বহন কৰিব নলগা হোৱাত কেৱল খোৱাৰ কাৰণে বজাৰ কৰিবলৈ মনবাহাদুৰক দুটকা ৰূপ দি আমি ওচৰৰ নৈলৈ ফুৰিবলৈ যাবলৈ ওলালো। মনবাহাদুৰক কোৱা হ'ল যাতে সি আমাৰ পাঁচজনৰ কাৰণে কুকুৰা মঙহে সৈতে

তাহাঁতৰ চকতে পাক কৰিবলৈ কাৰবাৰ কৰে। মনবাহাদুৰে সেই মতেই ভালদৰে সুবিধা কৰি দিব বুলি শলাগি থলে, আৰু আমিও নিশ্চিন্ত মনে আবেলি ফুৰিবলৈ গলো।

প্ৰথমতে গৈ মন্দিৰটোৰ চাৰিওফালে অলপ পাক মাৰি ওচৰৰ বজাৰখনলৈ গলো। বজাৰৰ ওচৰতে থকা চিকিম ৰাজ্যৰ পুলিছে আমাৰ নাম-ধাম কিটা তেওঁলোকৰ ভিজিটৰ বুকত লিখি থলে। তাৰ পিছত আমি বজাৰৰ পৰা অলপমান বুট ভজা কিনি চোবাই নৈৰ ফাললৈ নামি যাবলৈ ধৰিলো। নৈ পাওতে ভৰিৰ পৰা জোতা-মোজা সোলোকাই পানীত মুখ-হাত ধুই গা সাঁত কৰিলো। সেই সময়ত আমাৰ গা ধুবলৈ বৰ মন গৈছিল, যদিও আমাৰ



আমি পাঁচ ভ্ৰমণকাৰী :—
সোঁফালৰ পৰা—(১) ইঞ্জিনিয়াৰ মিঃ অনিল দত্ত বি, এচ, চি (গ্লাচগ) (২) ইঞ্জিনিয়াৰ মিঃ সত্যপ্ৰিয় দাস বি, এচ, চি (গ্লাচগ) (৩) ইঞ্জিনিয়াৰ মিঃ নিখিল ৰায় চৌধুৰী (৪) মিঃ বীৰেন্দ্ৰ সদয় দত্ত বাৰ, এট, ল আৰু লিখক।

লগত তিয়নীৰ কাপোৰ নথকাৰ কাৰণে সি হৈ নুঠিল। গাত থকা কাপোৰৰেই অলপ দূৰ পানীত নামি খেলা খেলিবলৈ ধৰিলো। পাৰত থকা শিলবোৰ বগৰাই বগৰাই ৰং-তামচা কৰিবলৈ ধৰিলো। তাৰ লগে লগে টাইগাৰ বাহাদুৰ, নানী বাবু আদিৰ কথাও পাহৰা নাই আৰু তাহাঁতৰ নাম উত্থাপন কৰি হাস্য ৰসৰ পুনৰ অৱতাৰণা কৰিবলৈ ধৰিলোহঁক। তাৰ লগত দুখনমান ফটোও ললো। এনে দৰে পানীৰ লগত ৰং-ধেমালি কৰি থাকোতেই গধূলি হওঁ হওঁ হল আৰু তাৰ লগে লগে বিশ্ৰান্ত দেহেৰে বাসস্থানলৈ প্ৰত্যাগমন কৰিলোহঁক।

জিৰণি ঘৰলৈ আহি মুখ-হাত ধুই আমি প্ৰত্যেকেই এখন আসন লৈ বহি মেল কৰিবলৈ যি বহিলো সেই মেল ভাত খোৱা সময়লৈকে নানা কথা বাৰ্ত্তাৰ মাজেদি চলিবলৈ ধৰিলে। আদি ৰসৰ পৰা আৰম্ভ কৰি হাস্য ৰসলৈকে নব ৰসৰ কেবাটাও ৰসৰ অৱতীৰ্ণ কৰি নানা ধৰণৰ কথা আলোচনা কৰা হৈছিল। তাৰ ভিতৰত দুই-তিনজন ডেকা লৰা গোট খালেই যি ৰসৰ অৱতাৰণা হৈ কথা-বাৰ্ত্তা চলিবলৈ ধৰে সেই ৰসৰেই কথা আমাৰ মাজত চলিছিল। মনবাহাদুৰৰ চৈধ্যবছৰীয়া খুলশালী ছোৱালী কাঞ্চীজনীৰ কথা লৈয়েই এটা ৰোমাঞ্চৰ অৱতাৰণা হৈছিল। সেই ৰোমাঞ্চৰ 'হিৰো' হৈছিল মিঃ দাস আৰু কাঞ্চী হৈছিল 'ৰোমাঞ্চৰ' কেন্দ্ৰ। নানা ধৰণৰ কথাৰ মাজতেই খবৰ আহিল—খানা খাবৰ হল। তাৰে লগতে আমাৰ ডেকা দত্তৰ প্ৰস্তাৱ হল—বিলনিয়াৰ কৰা হওক আমাৰ 'ৰোমাঞ্চৰ হিৰোৱাইন' কাঞ্চী আৰু মনবাহাদুৰৰ পত্নীক। সেই প্ৰস্তাৱ লৈ আগ বাঢ়িবৰ ভাৰ পৰিল মিঃ ৰায় চৌধুৰী আৰু বাৰিষ্টাৰ দত্তৰ ওপৰত। কথা মতেই তেওঁলোকে অনুমতিৰ কাৰণে গল। কাঞ্চী আৰু মনবাহাদুৰৰ পত্নীৰ মত লোৱা হল। তেওঁলোকৰ আপত্তি নহয় যদিহে মনবাহাদুৰে আপত্তি নকৰে। তেতিয়া তেওঁলোকে মন বাহাদুৰক বিচাৰি শোৱা পাটিত পালেগৈ। দুপৰীয়া আমাৰ লগতে বতলৰ পানী ভাল দৰেই ধৰাৰ লগে লগে আমি বজাৰ কৰিবলৈ দিয়া পইচাৰ পৰা চান কাটি তাৰে দেশী পানীও ভাল দৰে বজাই নিদ্ৰাৰ কোলাত বিশ্ৰাম লৈছে। তেওঁলোকে তাক জগাই যেতিয়া প্ৰস্তাৱটো পেচ কৰিবলৈহে পালে তেতিয়াই সি সিংহ যেন হৈ গৰজি উঠিল। তেওঁলোকে সেই গৰজনিৰ কোবত একেচাবেই লৰি আহি আমাৰ ওচৰ পালেহি আৰু তাতে আমাৰ

ৰোমাঞ্চৰো অন্ত পৰিল। আমি চেলু লৈ তেওঁলোকক ভাল দৰেই জোকাৰিবলৈ ধৰিলো।

খানা খোৱা হল। মণ্ডহৰ আঞ্জা খুব ভালেই হৈছিল। তাৰ কাৰণে বান্ধনীক ভাল দৰে চাৰ্টিফিকেট দিয়া হ'ল। আমি নানা বহস্তপূর্ণ কথাবে ভোজন কার্য্য সমাধা কৰি আকৌ মেলত বহিলো। এবাৰ মেল দীঘলীয়া হ'ল আৰু তাৰ লগে লগে নানা ধৰণৰ কথাও আলোচনা হল। বিলাতৰ কেম্ব্রিজ, য়াচগো আদি ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা কৰি অভিজ্ঞতা লাভ কৰি অহা বাৰিষ্টাৰ দত্ত আৰু ইঞ্জিনিয়াৰ দত্ত-দাস দেৱৰ আলোচনাৰ পৰা আমি নতুন কথা জানিবলৈ সুযোগ পালো। তেওঁলোকেও নিজৰ নিজৰ অভিজ্ঞতাৰ পৰা সেই বিষয়ে যিমান পাৰে কলে। ইতিমধ্যতে পূৰ্ণিমাৰ পিছৰ জোনটিয়েও নৈৰ মুবত ডাৱৰৰ মাজৰ পৰা লাহেকৈ উঠি ৰূপালী জ্যোতি বিলাই চাৰিওফালে চকমকাই তুলিলে। নৈৰ পানীৰ ওপৰত চন্দ্ৰৰ বশ্মি পৰি পানীয়ে তিৰবিৰাই জিলিকি উঠিবলৈ ধৰিলে। আমি এনে প্ৰকৃতিৰ মধুময় দৃশ্য দেখি নানা গল্প উলিয়াবলৈ ধৰিলো। তেনেতে মোৰ ওপৰত আৰু এটা অনুৰোধ পৰিল—জীৱনৰ ভিতৰত সেই আমোদৰ দিনত চুৰটত প্ৰথম হোপা দিবলৈ। মহো আগেয়ে মাজত আৰু শেষ বাৰলৈ হোপা দিয়াৰ দৰে চুৰট এটি অনাই খালো—আৰু ভাবিলো এয়েই যেন জীৱনত প্ৰথম আৰু শেষ বাৰ হয়। ইতিমধ্যতে ওচৰৰ হাবিত এটা শব্দ হল বাৰিষ্টাৰ দত্তই চিঞৰি উঠিল যে সেইটো 'মিবগ'। এনে এটা জানোৱাৰে তাত থাকে বুলি মনবাহাদুৰৰ পত্নীৰ পৰাই আগেয়ে গম পাই আছিল। এই 'মিবগ'ৰ হেনো ফোল দেখিবলৈ ছাগলীৰ নিচিনা আৰু আন ফালে গছৰ নিচিনা। ইহঁতে মানুহক একো অপকাৰ নকৰে কেৱল মানুহৰ শোৱা অৱস্থাত আহি গাল চেলেকি যায় ছি। তাৰ চিঞৰ শুনি মিঃ দাসে অলপ ভয় খাইছিল যদিও আমাৰ গল্পৰ মাত্ৰা বঢ়াই দিয়াত তেওঁৰ ভয় অলপ শান কাটিলে। তাৰ পিছত মোৰ গাত পাল পৰিল মোৰ ভ্ৰমণকাহিনীৰ ডাঙৰ এডভেনচাৰৰ বিষয়ে কবলৈ। মহো অগত্যা এবাৰ নোৱাৰি মাদ্ৰাছ ভ্ৰমণৰ অভিমুখে যাত্ৰাতে হোৱা দুৰ্দ্দশাৰ কথা কলো। তাৰ পিছত বাৰিষ্টাৰ দত্তই তেখেতৰ ইটালীত ফুবোতে হোৱা 'এডভেনচাৰ' বিষয়ে কলে আৰু এই দৰে সকলোৱে অলপ কলে। তাৰ ভিতৰত মোৰ গল্পটো বৰ সাহসজনক, বাৰিষ্টাৰ দত্তবটো ৰেছ টেউৰাপিপূর্ণ, মিঃ দাসবটো চিধাচিধি, ৰায় চৌধুৰীবটো হাস্যপূর্ণ আৰু ইঞ্জিনিয়াৰ দত্তবটো ফপহতা বুলি গণিত হল।



আমাৰ চিকিম যাত্ৰাত আনন্দ উদাহৰেৰে এবাতি কটোৱা জিবণি ঘৰৰ বুলনিত।

ৰাতি প্ৰায় এঘোৰমান বজাত নিৰগৰ কথা আৰু কাঞ্চীৰ কথা সুৰ্ৰ বিছনা পাৰি শুবলৈ গলো, ঠিক কৰিলো পুৱা ৫ বজাতে উঠি উভতি যাওগা হম। এনেতে বিছনা লৈ অলপ অসুবিধা হল। ডৰৰ কাৰণে আমাৰ গাঁচোজনৰ কাৰণে কেৱল তিনিখন সক সক 'কেম্পবেড' আছিল। তাৰ ওপৰতে আমাৰ কোট, মোজা, আদি গাক কৰি লৈ শুবলৈ কাৰবাৰ কৰা হল। এখন কেম্পবেডত মই আৰু বাৰিষ্টাৰ দত্ত, এখনত মিঃ দাস আৰু ৰায় চৌধুৰী আৰু বাকীখনত ইঞ্জিনিয়াৰ দত্তই অকলৈ শুবলৈ ললে। তলত কাপোৰ কানি নথবাকৈ সেই শুদা বিছনাত পৰি কোনো মতে ৰাতিটো কটালো। ভ্ৰমণকাৰীৰ জীৱনত এনে দৰে ৰাতি কটাব লগা হোৱা একো আচৰিত নহয়, বৰঞ্চ কেবাজনো একেলগে এনে দৰে কষ্ট কৰিব লগা হলে অলপ ভালো লাগে।



শ্ৰীযুতী মধুৰা কাবুৰা বিমাতৃ আৰু অন্যান্য তেওঁলোকৰ সহযাত্ৰীসকলৰ সৈতে কিছুমান মাতৃক ছবি

ওপৰলৈ দিয়ে আৰু শ্ৰীযুতী মধুৰা কাবুৰা।
(১) দিকাছু সন্ধ্যাকালৰ শ্ৰীযুত গঙ্গাধৰ গোস্বামী, (২) শ্ৰীযুত দধিৰাজ লিমু, (৩) শ্ৰীযুত নীলাম্বৰ বৰুৱা, (৪) শ্ৰীযুত অম্বিকাগিৰি বাৰদলৈ, বাৰোহাদুৰ আনলকৰ আসোঁৱাহৰ পুত্ৰ), (৫) শ্ৰীযুত সুন্দৰমোহন বায়, (৬) শ্ৰীযুত কনকলতা গোস্বামী, (৭) ডাঃ লক্ষিমেশ্বৰ চৌধুৰী, (৮) ডাঃ বাসুদেৱ লিমু, (৯) শ্ৰীযুত বামলাল আগৰৱালা, (১০) শ্ৰীযুত মহাদেৱ পণ্ডা, (১১) শ্ৰীযুত হিমাংশু কাকতি, (১২) শ্ৰীযুত কমলাকান্ত আগৰৱালা (কাছলৰ অধিকাৰীবাৰা), (১৩) অজিত মুখুজুৰী কাকতি।
ফটো—ডঃ লিমু,



পুৱা ৬ বজাৰ পিছত আমি সাৰ পালো। প্ৰায় ৬½ মান বজাত আমি ৰাওণা হলো। আহিবৰ সময়ত সেই ঘৰটোৰ ফটো এখনো ললোহঁক—আমাৰ লগত কাকী, মনবাহাদুৰ, পত্নী সকলোকে লৈ আৰু আহিবৰ সময়ত সকলোকে ভাল দৰে বকচিচ্ দি বিদায় ললো। মিঃ ৰায় চৌধুৰীয়ে আহিবৰ সময়ত কাকীক ।০ চাৰি অনা পইচা বেলেগে দি অহাত আমাৰ চকুৰ পৰা সাৰিব নোৱাৰিলে আৰু সেই কাৰণে আমাৰ মাজত তেওঁক ভাল দৰেই বহুৱা তোলা হল। যাওঁতে যেনে দৰে নামি গৈছিলো এইবাৰ উঠি আহোতে তেনে দৰে মুখৰ ফেন ওলাই গল। এই কাৰণেই ইংৰাজী ভাষাত কয়—up hill task। মিঃ দাসে ভাল দৰে খোজ কাঢ়িব নোৱাৰি বহুত দূৰ পাছ পৰি অহাৰ কাৰণে আমিও পাছ পৰি আহিব লগাত পৰিল। অৱশেষত তেওঁক কিছু দূৰ ঘোৰাত লৈও আহিব লগাত পৰিল। যাওঁতে ঘোৰা ৫ ঘণ্টাৰ বাট এতিয়া উঠি আহোঁতে আঠ ঘণ্টা লাগিল। বাৰিষ্টাৰ দত্ত অলপ আগেয়ে আহি পালেহি। মিঃ দাসৰ কাৰণে আমি অলপ পাছ পৰিলো। মই আহি বাৰিষ্টাৰ দত্তক বাইদেউ আৰু ভিনীহিদেউৰ লগত 'ডিনাৰ টেবোল'তে পালোহি প্ৰায় ২মান বজাত।

আমাৰ চিকিম যাত্ৰা অভিযান ভাল দৰেই সমাধা হৈ গল। ইঞ্জিনিয়াৰ দত্তৰ অভিমানো কৰবালৈ গল, আৰু তাৰ লগে লগে মনো অন্তৰত কিছুমান মধুৰ স্মৃতি লৈ কলেজলৈ উলটিবলৈ টালি-টোলালা বান্ধিবলৈ কাৰবাৰ কৰিলো। মুঠতে আমাৰ ভ্ৰমণযাত্ৰা বেছ উপাদেয় হৈছিল আৰু নতুন কথা শিকিবও পাৰিছিলো বহুত, নানান আলোচনাত।

কোঁচ বজা বিশ্বসিংহ কি ?

সম্পাদক ডাঙৰীয়া,—

এই বছৰৰ দ্বিতীয় সংখ্যা আৱাহনত শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাদেৱে লিখিছে,—"হোচেন হাজো এবাৰ পিছতেই ভূঞা সকলে হাজো আক্ৰমণ কৰে আৰু দানিয়েলক মাৰি আফগানৰ থানা অধিকাৰ কৰে (১৫০৩ খৃঃ অঃ) ; কিন্তু ইয়াৰ কেই বছৰ মান পিছতেই ভূঞাৰ ভিতৰেৰেই বিশ্বসিংহই অনেক ভূঞাক পৰাস্ত কৰি কমতাৰ বজা হয় আৰু এওঁৰ পৰাই কামৰূপ ৰাজ্যত কোঁচ ৰাজবংশৰ অভ্যুদয় হয় (১৫১৫ খৃঃ অঃ)"। আমাৰ মনেৰে ই সম্পূৰ্ণ কাল্পনিক। তেখেতৰ আৱাহনত লিখা এনেকুৱা আৰু এটা ভুল শ্ৰীযুত কণক লাল বৰুৱা ডাঙৰীয়েই "অসম টাইমছত" পুকুষোত্তম গঞ্জ পতিৰ বিষয়ে লিখোতে লিখি দেখুৱাইছে। কিন্তু মেচৰ ঘৰত ওপজা কোঁচ বা কছাৰী বজা আছিল। ইয়াৰ ইতিহাস কছাৰী সকলৰ ভিতৰত পুৰণি কালৰ পৰা চলি আহিছে। গোৱাল পাৰাৰ এখন গাঁৱৰ সেই ঠাইৰ কছাৰী বিলাকে বিশুৰ জন্ম ঠাই বুলি দেখুৱায়। ইয়াৰ ওপৰিও সমুদ্ৰনাৰায়ণ বজাৰ আজ্ঞাত লিখা "দৰং ৰাজবংশাৱলী" পঢ়িলেই এই বিষয়ে জানিব পাৰি। কছাৰী আৰু কোঁচৰ ভিতৰত কোনো বিভিন্নতা নাই। কচাৰীয়ে গোসাঁইত শৰণ ললেই কোঁচ আখ্যা পায়। ই সৰ্ব্বজন বিদিত কথা। কোঁচে ৰাজত্ব কৰিছিল বুলি "কোচবিহাৰ" নাম হোৱা নাই। ইয়াৰ বেলেগ ঐতিহাসিক অৰ্থ আছে। বিশ্বসিংহ বা নৰনাৰায়ণৰ দিনত আজি কালিৰ কোঁচক কোঁচ নুবুলিছিল।

আৰু এটা কথা, অসমত আহোম সকলৰ অভ্যুদয়ৰ কাল ডোখৰক আৰু তাৰ পিছৰ সময়ক অন্ধ যুগ বুলিব নোৱাৰি। ভূঞা সকল মেতিয়া ব্ৰহ্মদেশৰ পৰা আহি অসম সোমাইছি সেই সময়ত সমগ্ৰ সৌমাৰ পীঠ আহোম সকলৰ দ্বাৰা শাসিত হৈছিল। সেই সময়ৰ আহোম বুৰঞ্জী পোৱা যায়। শ্ৰীযুত দত্তবৰুৱাদেৱে কবনে, কি যুক্তিত বিশ্বসিংহক ভূঞা বজা পাতিছে ? ইতি

শ্ৰীকীৰ্ত্তি নাথ খাখলাৰী

বৈজ্ঞানিক জগত

ব্লু বার্ড

বিখ্যাত মটৰ চালক স্যাৰ মেলকম কেম্বেলে অলপতে মটৰ গাৰীৰ বেগৰ নতুন বেকর্ড বাৰিবলৈ এখনি নতুন গাৰী সাজিছিল। এই গাৰী খনিৰ নাম দিছিল 'ব্লু বার্ড'। গাৰীখনৰ ইঞ্জিনটো 'বইচ আইডাৰ টুফি' পোৱা ২৫০০ অশ্বশক্তি সম্পন্ন। এই ব্লু বার্ডেৰে তেওঁ ডেটোনাত ঘণ্টাত ২৭৬'৮১৬ মাইল গৈছিল। তাৰ পিছতেই তেওঁ কৈছিল যে ঘণ্টাত ৩০০ মাইল বেকর্ড বাৰিবলৈ চেষ্টা কৰিব।



স্যাৰ মেলকম কেম্বেল আৰু 'ব্লু বার্ড'

পৃথিবীৰ আটাইতকৈ বেগী বেল গাৰী



পৃথিবীৰ আটাইতকৈ বেগী বেলগাৰী

লণ্ডন আৰু নিউকাচলত চলা এল-এন ই-আৰ নামৰ গাৰী এখনিয়ে ঘণ্টাত ১০৮ মাইলকৈ গৈ পৃথিবীৰ বেল গাৰীৰ বেগৰ নতুন বেকর্ড বাৰিছে। ৫ মার্চ্চৰ দিনা এই গাৰী খনিয়ে ওঘং ৫৭ মিঃত ২৬৮ মাইল অর্থাৎ গড়ে ঘণ্টাত ৬৭॥ মাইল গৈছিল উভতি আহোঁতে ১২ মাইল বাট ঘণ্টাত ১০০মাইল চলা বেগত আহিছিল। ৩০চেকেণ্ড ঘণ্টাত গড়ে ১০৫'৩ মাইল বেগত আৰু ১০ চেকেণ্ড ১০৮ মাইল বেগত চলিছিল। এইয়েই এতিয়ালৈকে পৃথিবীৰ বেল গাৰীৰ বেগৰ বেকর্ড।

পৃথিবীৰ বেকর্ড ভাঙিবলৈ সজা জার্ম্মাণ গাৰী

জার্ম্মাণীৰ এটি বেলগাৰী তৈয়াৰ কৰা কাৰখানাত এখন নতুন বেলগাৰী সজা হৈছে। এই গাৰী প্রধানতঃ



বেকর্ড ভাঙিবলৈ সজা জার্ম্মাণ গাৰী

এল-এন-ই আৰ ৰ ঘণ্টাত ১০৮ মাইল চলা বেগৰ বেকর্ড ভাঙিবলৈ সজা হৈছে। এই গাৰী ঘণ্টাত ১১০ মাইল চলিব বুলি আশা কৰা হৈছে।

অসমত অমৃত কাউৰ



তিনিচুকীয়াত অমৃত কাউৰ
আৰা ২৩ এপ্রেল মঙ্গলবাৰৰ দিনা, কমলাশ্রমত।



আৰা ২৩ এপ্রেল মঙ্গলবাৰৰ দিনা তিনিচুকীয়া, কমলাশ্রমত অমৃত কাউৰ।



আবেলি ইটাৰ হলৰ বাকবিত্ত শিল্পী বাহুতলা অভিনন্দৰ উত্তৰত শ্ৰীমতী অমৃত ভাণ্ডবে বক্তৃতা দিছে। চাবিওফালৰ গৰা প্ৰায় ডেৰ হেজাৰ নৰনাৰীবে নীৰবে শুনি লাগিছে।

—তেজপুৰ, ফটো—পি, সিংহ।



ছভাৰ ভাষাতেই দিছে অভিনন্দনৰ উত্তৰ দিছে। তেখেতে কৈছে—"অসমৰ সকলো আছে—নিগৰ সজতা, দৃষ্টি, সাহিত্য সকলোকেই আছে, নাই মাথো পাৰ লিচিটি (প্ৰকাশ)। সেই কাৰণে বিশাল হিন্দুস্থানে অসমক চিন নাপাওঁ। অসমৰ দি দুই এগন সাপ্তাহিক বাতৰি কাকত আছে, সি বহুতপুত উপলব্ধা পাৰ হৈছেই যাব নোৱাবে।"

—তেজপুৰ, ফটো—পি, সিংহ।



শ্ৰীমতী অমৃত কাউৰৰ বক্তৃতা শুনি থকা অহাতি বাহুতলা সভাৰ বিশাল জনতাৰ প্ৰায় আঠ ভাগৰ এভাগ।

—তেজপুৰ, ফটো—পি, সিংহ।

অসমত সঙ্গীত চৰ্চ্চা

[ফাগুন সংখ্যাৰ পাছৰ পৰা]

—শ্ৰীযুত পদ্মধৰ চলিহা এম-এ, বি-এল

(২)

ভাৰতৰ সাঙ্গীজনীন বাদ্যযন্ত্ৰ বীণা, ৰবাব, শৰদ, শাৰঙ্গী, ছেতাৰ, এচৰাজ, তবলা আদি বাদ দিলেও অসমৰ নিজস্ব অসমীয়া যন্ত্ৰৰ অসম দেশ এতিয়াও ভাৰতৰ অগ্ৰণী। পুৰণি অসমত বহুত আগ্য বড়ো যন্ত্ৰৰ ব্যৱহাৰ আছিল। ডম্বৰ বিষয় তাবে ভালেমানৰ নামো অসমীয়াই গাবি গৈছে। শিবপুত্ৰ কামকন্দৰ বিশ্বসিংহৰ দিনত আৰু তেওঁৰ বংশধৰ পৰবৰ্ত্তী মহাবাজসকলৰ বহুত দিনৈকে এই যন্ত্ৰবিলাকৰ প্ৰচলন আছিল।*

শঙ্খ, ঘণ্টা, কৰতাল, ডম্ফুভি বজাৰে ভাল
ঢাক, ঢোল, ডগৰ, নাগেৰা।
বামুটা, কবিবাস, যাহাৰ মধুৰ ভাদ
বঞ্জবীকা মহৰী দোতোৰা ॥ ১২৫ ॥
ৰবাব, শাৰিঙ্গী, বাঁশী ঝিলি জিমিকিকা বাশি
কুদ্ৰক টোকাৰী বাৰে তুৰি।
মুদঙ্গ মদিৰা খোল দোমচিৰ গুলি বোল
গোগোনামে বজাৰে মুকৰী ॥
উপাঙ্গে বৰ শঙ্খ মুচুৰাই বাৰে ফাপে
জয়কালি বজাৰয় ভেৰি।
বামশিঙা, বামতাল, ঝেঙুৰা বজাৰে ভাল
গোমুখ বজাৰে উচ্চ কবি ॥ ১২৬ ॥
বীবকালি সিংহবান তবল বজাৰে মন
পুবয় অম্বৰ বাদ্যচয়।
কালিবণ শব্দ অতি দোচবি ঢোলোক জাতি
আনো বাদ্য অসংখ্য বাজয় ॥ ১২৭ ॥
সপ্তস্বৰ কলন্দাৰ বজাৰে অসংখ্য ॥ ১৪২ ॥
(১৭১৪ শকত ৺সূর্য্যবি দৈৰজ্ঞ বিবচিত, দৰং বাজবংশাবলী।)

* এই কেৰোয়াকেটো শ্ৰেচৰ বেমেজালিত মোৰা সংখ্যাতে জগা হৈছিল।

ইয়াৰ পৰা বুজিব পাৰি আন আন বহুত বিষয়ত যেনেকৈ আজিকালিৰ অসমীয়া, পুৰুষানুক্ৰমকলতকৈ হীন হৈছে সেই দৰে জাতীয় সঙ্গীত আৰু বাদ্যসম্পদতো বৰ্ত্তমান অসমীয়াৰ বহুত অৱনতি ঘটিছে।

সঙ্গীত বিদ্যাৰ অনুশীলন অসমীয়া সভ্যতাৰ কৌটীকলীয়া অঙ্গ। আগৰ দিনৰ অসমীয়াই দেশ-বিদেশৰ সঙ্গীত চৰ্চ্চা কবি অসমত তাৰ প্ৰচাৰ কবিছিল। কামৰূপাধিপতি ভাস্কৰবৰ্ম্মাৰ চৰাত চীন পবিব্ৰাজক হিয়েনচাং যাকেতে অসমীয়া মানুহে চীন সম্ৰাট এজনৰ বিষয়ে গীত গোৱা শুনি আচবিত হৈছিল বুলি হিয়েনচাঙৰ ভাৰত ভ্ৰমণত্ত (Account of India) কোৱা হৈছে। ভাস্কৰবৰ্ম্মাৰ পিতাক কামৰূপাধিপতি সুস্থিৰবৰ্ম্মণ মহাসেনগুপ্তৰ ওচৰত পৰাস্ত হয়। সেই বিষয়ে অসমীয়া মানুহে গীত গাইছিল বুলি আদিত্যসেনৰ ফলিত স্পষ্ট লিখা আছে। অসমীয়া বজাই দেশ-বিদেশলৈ সঙ্গীতত বাপ খকা মানুহ পঠাই সঙ্গীত শিকাই অনা আৰু বাদ্য-যন্ত্ৰাদি অনোৱাৰ ভালেমান দৃষ্টান্ত পোৱা যায়। স্বৰ্গদেৱ কদ্ৰসিংহ সঙ্গীত কলাৰ প্ৰধান পৃষ্ঠপোষক আছিল আৰু তেখেতে নিজেও ভালেমান গীত বচিছিল। তেখেতৰ ৰাজত্বত ভালেমান কবি আৰু সঙ্গীতজ্ঞই বিপুল যশস্কা আৰু ব্যুৎপত্তি লাভ কবিছিল। তাৰ ভিতবত ৺গোপালচন্দ্ৰ, কবিবাজ চক্ৰৱৰ্ত্তী আদিব নাম উল্লেখযোগ্য। কদ্ৰসিংহৰ ৰাজত্বৰ আগ ছোৱাতে গোপালচন্দ্ৰই বচা এটি গীত তলক :—

"কদ্ৰসিংহমনুজ কদ্ৰ অৱতাবি।
হেতু যবনদণ্ড সঙ্গে সৈন্য প্ৰচণ্ড
সমবে সম্বৰ ভণ্ডকাৰী।
গজবাজি বাগুবভণ্ড অনুপম প্ৰজাখণ্ড
ছত্ৰদণ্ড ধৰ স্থিৰ।

নৰৰূপে নৰেশ্বৰ ধৰ্ম্মৰূপ কলেৱৰ
বীৰৰূপ বিজয় শৰীৰ ॥
প্ৰচুৰ জলদধাম পুত্ৰদ্বয় অনুপাম
মুকুতি মধুৰ মনোহাৰী।
বচন অমৃত বাণী বিকশিত সৌদামিনী
চাহিলেক চমকে ৰূপ হেৰি ॥
তনু অতি নিৰমল ৰূপ ৰঙ্গ তলমল
সামবাজে সততে বিহাৰি।
নিৰখিতে সদয়ানন্দ গাৱে গোপাল ছন্দ
শান্ত সুজন হিতকাৰী ॥"

শকুন্তলা কাব্য ৰচোঁতা কবিৰাজ চক্ৰবৰ্ত্তীয়ে ৰুদ্ৰসিংহৰ আমোলত জয়দেৱৰ "গীতগোবিন্দ"ৰ অনুবাদ কৰে। ইয়াৰ উপৰিও তেওঁ ভালেমান গীত ৰচনা কৰে। তাৰ এটি গীতৰ নমুনা দিয়া হল :—

"কুচযুগ কনককল সভৰ নিমিত্তে
তনুৰুচিবিহসিত শঙ্কৰ দয়িতে।
ৰাধিকে নাশয় কামজ তাপময়ে
মধুৰিপু নিৰ্ম্মিত পল্লবনয়নং
অধি বনমালী মুখি সুন্দৰ চৰণং
জনয়তু ৰসিক সুদামুহু সুচিৰং
শ্ৰীকবিৰাজ ভণিত মতিৰুচিৰং ॥"

কবিৰাজ চক্ৰৱৰ্ত্তী ৰুদ্ৰসিংহ ৰজাৰ এজন পণ্ডিত আছিল। পণ্ডিত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ Special duty-ত থাকোঁতে যিখন ডাক্তৰ ব্লকে আৰু ৰাখালদাস বন্দোপাধ্যায়ে পঢ়িব নোৱাৰি ঘূৰাই দিয়া পুৰণি ফলিৰ পাঠোদ্ধাৰ কৰিছিল তাত আছে,—এক ভদ্ৰ পৰিয়ালে সুখেৰে খাই-বৈ থাকিবৰ জোখাৰে মাটি (ব্ৰহ্মোত্তৰ) ৰুদ্ৰসিংহ স্বৰ্গদেৱে তেওঁক দান কৰিছিল। পণ্ডিত মিশ্ৰই দান কৰা আৰু এখন পুথিত আছে।

শ্ৰীশ্ৰীৰুদ্ৰসিংহ নৃপদত্তা ভূবন দেবতা পূজ্যৰ্থে দেবোত্তৰ ভূমি ৪১৩১ হালচা।

কবিৰাজ চক্ৰবৰ্ত্তীয়ে ভঙা "গীতগোবিন্দৰ" শুৱলা ভাঙনী কামৰূপ অনুসন্ধান সমিতিৰ পুথি ভৰালত আছে। মূলৰ লগে লগে তেওঁ হুবহুকৈ প্ৰাঞ্জল ভাঙনী লিখি থৈ গৈছিল। দুখৰ বিষয় এই পুথি এতিয়াও প্ৰকাশ হোৱা নাই। স্বৰ্গদেৱ শিৱসিংহয়ো ৰুদ্ৰসিংহৰ দৰে গীত ৰচনা কৰিছিল। তাৰ চানেকী স্বৰূপে এটি সুন্দৰ ৰাধাৰ বিষয়ক গীত তুলি দিয়া হল,—

"শাৰদ পূৰ্ণিমা হিমবৰ বদনী
চঞ্চল নীল নলিনী দল নয়নী।
চফল লোকন কাজল ৰঙ্গি
ভবুয় কাবান কুটীলতৰ ভঙ্গী।
প্ৰাতৰুদিত ৰবি সিন্দুৰ কান্তি
সজল মুকুতা দল দৰ্শন পান্তি।
মৃগমদ কুঙ্কুম চৰ্চ্চিত দেহা
তৰল ঘনান্তৰ দামিনী ৰেহা।
ৰাজা শিৱসিংহ ইহ ৰস ভণিত
ৰমণী শিৰোমণি ৰাধা চৰিতম ॥

এই গীতটি গুৱাহাটীৰ সঙ্গীতজ্ঞ শ্ৰীযুত মহেশচন্দ্ৰ দাসে গ্ৰামোফনৰ ৰেকৰ্ডত দিবলৈ যোজা কৰিছে বুলি শুনি সুখী হৈছোঁ।

স্বৰ্গদেৱ ৰুদ্ৰসিংহই পশ্চিমৰ পৰা অসমলৈ পাখোৱাজ বাদ্য-যন্ত্ৰ আনিছিল বুলি বুৰঞ্জীত পোৱা যায়। অসমীয়া ৰজাসকলৰ চৰাত নিয়মিতৰূপে নাচ-গান হৈছিল। দেশী আৰু বিদেশী সঙ্গীতজ্ঞসকলে এই নাচ-গানত সৰ্ব্বান্তঃকৰণে যোগ দিছিল। হস্তীবিদ্যামহাৰ্ণৱ নামৰ সচিত্ৰ সাঁচি-পতীয়া পুথিত নানা প্ৰকাৰৰ হাতীৰ ছবি থকাৰ উপৰিও অসমীয়া ৰজাৰ চৰাত ওস্তাদসকলে নাচ-গান কৰা ছবিও আছে।

আহোম ৰজাঘৰলৈ কোনোবা বিশিষ্ট আলহী আহিলে গীত, বাদ্য আৰু ভাওনা কৰি তেওঁলোকক আদৰ অভ্যৰ্থনা জনোৱা হৈছিল। ৰাজেশ্বৰসিংহৰ ৰাজত্ব কালত জয়ানন্দ নামৰ এগৰাকী ওস্তাদে তেওঁৰ গায়নজোৰাৰে (Party) সৈতে মণিপুৰ আৰু কাচাৰৰ ৰজাক আমোদিত কৰিছিল। এই জয়ানন্দই শ্ৰীকৃষ্ণৰ ভালেমান বন্দনা ৰচনা কৰিছিল বুলি এখন পুৰণি পুথিৰ পৰা জনা গৈছে। শ্ৰদ্ধেয় শ্ৰীযুত কীৰ্ত্তি-

নাথ বৰদলৈ ডাঙৰীয়াই অলপতে এই পুথিখনিৰ আঁতি-গুৰি উলিয়াইছে।

অসমত সঙ্গীত ইমান জনপ্ৰিয় আছিল যে আগৰ দিনৰ মানুহে পকেট বুকৰ নিচিনাকৈ সঙ্গীত-সংগ্ৰহৰ পুথি জেপত লৈ ফুৰিছিল। তেনে দুখন পুথি কামৰূপ অনুসন্ধান সমিতি আৰু অসম পুৰাতত্ত্ব বিভাগৰ হাতত আছে।

আৰু এটি বিশেষ মন কৰিব লগীয়া কথা এই যে আগৰ দিনত অসমৰ সত্ৰবিলাকৰ মাজত এনে প্ৰথা প্ৰচলিত আছিল যে প্ৰত্যেক সত্ৰাধিকাৰে গাদিত বহিলেই এখন নাট লিখিব লাগে। এই নাট সততে নৃত্য-গীতেৰে ভৰপূৰ অৰ্থাৎ গীতি-নাট্যৰ ধৰণৰ আছিল। এই প্ৰাচীন ৰীতি ৰক্ষা কৰা আমি দেখা পাওঁ—স্বৰ্গীয় কমলদেউ আউনী-আটী সত্ৰাধিকাৰ গোস্বামীৰ জীৱনীত। ত'ত "মধুৰ মিলন" আদি কেইবাখনো সুন্দৰ গীতি-নাট্য ৰচনা কৰি নিজৰ সঙ্গীতানুৰাগ আৰু কবিত্ব-শক্তিৰ পৰিচয় দিছিল। গীত-বাদ্যত ত'ৰ বিশেষ ৰাপ আছিল আৰু ভালেমান দিন এই সত্ৰত সঙ্গীত, নাট্যকলা আদিৰ নিয়মিত ৰূপে চৰ্চ্চা কৰাৰ ব্যৱস্থা আছিল। বৰ্ত্তমান কালত অসমীয়া সঙ্গীত, নৃত্যৰ tradition ৰক্ষা কৰিছে অসমৰ সত্ৰবিলাকেই। প্ৰধান প্ৰধান সত্ৰবিলাকত নটুৱা নাচ, ভাওনা আদি আজি পৰ্য্যন্ত প্ৰচলিত আছে আৰু অসমীয়া গীত-বাদ্যৰো প্ৰচলন পূৰ্ব্ব কালৰ দৰে নহলেও বহুত পৰিমাণে হৈ আছে। আগৰ দিনত প্ৰত্যেক সত্ৰতে নিয়মিত ৰূপে সঙ্গীতৰ অনুশীলন হৈছিল আৰু সঙ্গীত-পুথি অধ্যয়ন কৰি তাত বান্ধি দিয়া নিয়ম-প্ৰণালী পালন কৰিব লগা হৈছিল। আউনীআটী সত্ৰত পোৱা "হস্তমুক্তাৱলী" নামৰ পুথিখনি এই ধৰণৰ এখনি বহুমূলীয়া গ্ৰন্থ। অসম-গৌৰৱ প্ৰত্নতত্ত্ববিদ্ স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই সঙ্কলন কৰা আৰু কলিকতা বিশ্ববিদ্যালয়ে ১৯৩০ চনত প্ৰকাশ কৰা "Descriptive catalogue of Assamese manuscripts" বোলা আপুৰুগীয়া গ্ৰন্থখনিত উক্ত পুথিৰ বিশদ পৰিচয় দিয়া হৈছে। বচনৰ সলনি হাতৰ মুদ্ৰা বা অঙ্গী-ভঙ্গীৰে ভাব প্ৰকাশ কৰাৰ নিয়ম-প্ৰণালী পুথিখনিত সুন্দৰকৈ বান্ধি দিয়া হৈছে। ইয়াৰ গ্ৰন্থকাৰ হৈছে শুভঙ্কৰ। এইজনা শুভঙ্কৰ অঙ্ক-শাস্ত্ৰৰ শুভঙ্কৰেই নে আন কোনোবা তাক ঠাৱৰাই কোৱা টান। এই সাঁচি-পতীয়া পুথিখন ১৫শ শতিকাত লিখা বুলি অনুমান হয়। হিন্দু সঙ্গীত-শাস্ত্ৰৰ নৃত্যৰ বিষয়ে লিখা কথাই পুথিখনিত সন্নিবিষ্ট কৰা হৈছে। ভাওনা আদিত নাচ কৰোঁতে এই পুথিৰ নিয়ম পালিব লাগে। মুদ্ৰাবিলাক তিনি ভাগত ভগোৱা হৈছে—যেনে, এহাতেৰে দেখুৱা মুদ্ৰা, দুই হাতেৰে দেখুৱা মুদ্ৰা, আৰু শৰীৰৰ গোটেই অঙ্গ চালনা কৰি দেখুৱা নৃত্য। পুথি-খনিত ৩৯ বিধ নাচৰ বিৱৰণ আছে। মূল সংস্কৃত শ্লোক-খিনি দি তাৰ লগে লগে অসমীয়া ভাঙনীও দিয়া হৈছে। এই পুথিখনিৰ এক কপি দাৰভাঙা আৰু এক কপি নেপাল দৰবাৰৰ পুথি-ভৰালত আছে।

অসমৰ ৰজাসকলে ৰাজপ্ৰাসাদত আৰু কোনো কোনো দেৱালয়ত ৰাজ-ভৰালৰ অৰ্থেৰে নটীবিলাক ৰাখিছিল। হাজো আৰু নেগ্ৰিটিং দেৱালয়ৰ নট-নটীয়েই তাৰ প্ৰমাণ। পৌৰাণিক ঘটনাৰ সজুলি লৈ পুৰণি অসমৰ কবিসকলে দীঘলীয়া গীতি-কবিতা ৰচনা কৰিছিল, আৰু সেইবিলাক মানুহে অতি সুললিত সুৰ লগাই গাই নথৈ তৃপ্তি লাভ কৰিছিল। নাৰায়ণদেৱ, দুৰ্গাবৰ আৰু পীতাম্বৰে বেহুলা, ৰামচন্দ্ৰ আৰু উষাৰ বিষয়ে গীত ৰচনা কৰিছিল। সঙ্গীতাচাৰ্য্য সৰ্ব্বানন্দ, দ্বিজ ৰমানন্দ, দ্বিজ নৰসিংহ, গায়ক ব্যাস আদি পণ্ডিতসকলে এদিন এই মঙ্গলদৈৰে দৰঙী ৰাজ-সভা অলঙ্কৃত কৰিছিল বুলি সাহিত্য সভাৰ আদৰণি সমিতিৰ সভাপতিৰ শুৱলা অভিভাষণৰ পৰা জনা গৈছে। দ্বিজৰায়, গদাধৰ, ভৱানন্দ, শিৱৰাম, অনন্ত দাস, হৰিচৰণ, গোপালচন্দ্ৰ, খগেশ্বৰ দাস, কবীন্দ্ৰ, কবিশেখৰ, দ্বিজবৰ (গোপাল দ্বিজ) ৰঘুনাথ, ৰঘুৰায়, হৰিহৰ, শিৱনাথ এওঁলোককে আদি কৰি পুৰণি অসমৰ বহুতেই শাক্ত আৰু বৈষ্ণৱ ধৰ্ম্ম সম্বন্ধীয় গীত ৰচি গৈছে। সেইবোৰ প্ৰকাশ কৰি উলিয়ালে অসমীয়া সঙ্গীত সাহিত্যৰ বুৰঞ্জীৰ বহুমূলীয়া সজুলি হব। পুৰণি অসমত সঙ্গীত চৰ্চ্চাৰ বিষয়ে গবেষণা আৰু সমালোচনামূলক প্ৰৱন্ধৰো আৱশ্যক হৈছে। বঙ্গ সাহিত্যত বিদ্যাপতি, চণ্ডীদাস, জ্ঞানদাস,

এনেকুৱা আঙুলীৰ মূৰত লেখিব পৰা ২।৩ জন বৈষ্ণৱ কবিৰ গীতবিলাকৰ আলম লৈ বৈষ্ণৱ সাহিত্য আৰু বৈষ্ণৱ গীতাৱলীৰ বিষয়ে অলেখ প্ৰবন্ধ আৰু গ্ৰন্থ ওলাব লাগিছে। আমাৰ পুৰণি অসমত এনেবিলাক কবি অলেখ থকা সত্বেও তাৰ আমি বহুতে খবৰেই নকৰোঁ বা নামেই নেজানো।

শাক্তপন্থীসকলৰ বাহুল্য ধৰণৰ পূজা-পাটল, যাগ-যজ্ঞৰ সলনি অসমীয়া বৈষ্ণৱসকলে সহজে আৰু চমুকৈ নাম-কীৰ্ত্তন বা সঙ্গীতৰ সহায়েৰে হেজাৰ হেজাৰ বাসীৰ হৃদয়ত ভক্তি-মন্দাকিনীৰ সোঁত বোৱাই দিছিল। নিৰ্ভাঁজ অসমীয়া সুৰবিলাক বিদেশী সুৰৰ অন্ধ অনুকৰণ নাছিল—সেই সুৰবোৰ স্বাধীন ভাৱে বিকাশ হৈছিল নাইবা বিদেশৰ পৰা সুৰ আনি অসমৰ জল-বায়ু, ভাব-গতিৰ লগত সামঞ্জস্য ৰাখি নকৈ গঢ়ি লোৱা হৈছিল। এইটো লক্ষ্য কৰিব লগীয়া যে অসমীয়া সুৰবোৰ খেমটা বা ঠুংৰী জাতীয় নহয়। অসমীয়া জাতিৰ চৰিত্ৰৰ উপযোগী কৰি সেইবোৰ গহীন ভাব-ভাষাৰে দীঘলীয়া অথচ সুশ্ৰাব্য কৰি ৰচা। অসমৰ ধৰ্ম্মমূলক গ্ৰন্থবোৰত, যেনে কীৰ্ত্তন, দশম, নামঘোষা, ভক্তিমা, গুণমালা, লক্ষ্মীচৰিত, দুৰ্গাবতী, সেইবোৰত লিপিবদ্ধ কৰা কথা বা পদবিলাক সুৰ বা জাত লগাই গাব লাগে। গতিকে অসমীয়া ধৰ্ম্ম সাহিত্য দৰাচলতে সঙ্গীতমূলক আৰু সঙ্গীতময়। দুলড়ী লেছাৰী সকলোৰে একোটি সুৰ বা জাত আছে আৰু প্ৰত্যেক সুৰ বা জাতৰে বিশেষ সৌন্দৰ্য্য নিহিত আছে। অসমীয়া ধৰ্ম্ম সাহিত্য আৰু ৰচনাবোৰৰ সৌন্দৰ্য্য ভালকৈ ফুটি ওলায় সেইবোৰ সঙ্গীতৰূপে নিয়ম লগাই গালেহে, আৰু বেছিকৈ ফুটি ওলায় সেইবোৰৰ লগে লগে ভাব প্ৰকাশ কৰা অঙ্গী-ভঙ্গী মুদ্ৰা বা নৃত্য দেখুৱালেহে।

ধেমেলীয়া সঙ্গীততো পুৰণি অসম পাছ পৰা নাছিল। অসমীয়া নাটবোৰৰ মাজে মাজে সুমুৱাই দিয়া বহুৱা-বিলাকৰ মুখত ধেমেলীয়া গীতবিলাক অতি আমোদজনক আৰু লগে লগে শিক্ষাপ্ৰদ।

আগৰ দিনত সঙ্গীত চৰ্চ্চা কৰা আৰু ভাওনা আদিত অভিনয় কৰিব পৰাটো প্ৰত্যেক ভদ্ৰ মানুহৰ বা ভদ্ৰ পৰিবাৰৰ শিক্ষাৰ ঘাই অঙ্গ বুলি ধৰা হৈছিল। কীৰ্ত্তি বৰবৰুৱাৰ পুতেক এজন নামজলা সঙ্গীতজ্ঞ আছিল।

এই প্ৰসঙ্গতে অসমত সঙ্গীত চৰ্চ্চা আৰু নাম-কীৰ্ত্তনৰ প্ৰভাৱৰ বিষয়ে বুৰঞ্জীৰ এটি ঘটনা উল্লেখ কৰোঁ। মীৰজুমলা অসমত পৰাস্ত নহলেও অসমত বিফলমনোৰথ হৈ উভতি যাব লগা হৈছিল। তেওঁৰ পিছত যেতিয়া মানসিংহই অসম আক্ৰমণ কৰিবলৈ আগবাঢ়ে তেতিয়া তেওঁৰ মাক আৰু ঘৈণীয়েকে এই বুলি সতৰ্ক কৰি দিছিল, "যি অসম দেশত নাম-কীৰ্ত্তনৰ ইমান প্ৰভাৱ সেই দেশৰ শান্তি ভঙ্গ কৰা উচিত নহয়।"

বৰ্ত্তমান প্ৰচলিত অসমীয়া বাদ্য-যন্ত্ৰবিলাক বৰদলৈ দেৱে ব্যৱহাৰ অনুযায়ী পাঁচ ভাগেৰে বিভক্ত কৰি দেখুৱাইছে।

(ক) দেৱ-যন্ত্ৰ—যেনে ডবা, টিলিঙা বা ঘণ্টা, বৰ-কাঁহ, শঙ্খ, ভোটতাল বা ভোতাল—যিবোৰৰ সততেই আমাৰ নাম-ঘৰত আৰু অন্যান্য দেৱ-গৃহত ব্যৱহাৰ হৈ আহিছে।

(খ) ভাওনাৰ যন্ত্ৰ—যেনে মৃদঙ্গ, খোল, পাতিতাল। চৰিত্ৰ পুথিত পোৱা যায় যে শ্ৰীশঙ্কৰদেৱে প্ৰথম বাৰ তীৰ্থ কৰি আহিয়েই কুমাৰ আনি বৃন্দাবনীয়া আহিৰে মৃদঙ্গ, কোঢ়োলা বাঢ়ৈৰ হতুৱাই কাঠৰ খোল, আৰু বৰপেটীয়া কঁহাৰ আনি ভোটতালকে সৰু কৰি হিন্দুস্থানৰ কৰতালৰ ঠাইত পাতিতাল কৰোৱাই বৰদোৱা ধামত প্ৰথম চিহ্ন-যাত্ৰা ভাওনা কৰে। তেতিয়াৰে পৰা অসমৰ ভাওনাত এই তিনটি যন্ত্ৰ ব্যৱহাৰ হৈছে।

(গ) ঢুলীয়াৰ যন্ত্ৰ—যেনে সৰু ঢোল, বৰ ঢোল বা জয় ঢোল, [যি পূৰ্ব্বে বড়ো জাতিৰ ৰণবাদ্য হিচাপে ব্যৱহৃত হৈছিল] চেপা ঢোল।

(ঘ) ভকতীয়া যন্ত্ৰ।

(ঙ) ৰং-ধেমালিৰ যন্ত্ৰ—যেনে পাতিতাল, কালি, ৰাম-শিঙা, ভেৰী, চেৰেঙা, টোকাৰী আৰু দোতাৰা, ৰামকৰতাল, খঞ্জৰী, খুটিতাল, ৰেপনী। এইবোৰ অসমীয়া যন্ত্ৰৰ কথা বৰদলৈ দেৱে ফঁহিয়াই দেখুৱাইছে। ইয়াৰ বাহিৰে শিঙা, ঠোকা বা টকা, পিপলি বা সুতুলি, (মুখেৰে বজোৱা সৰু যন্ত্ৰ) পেঁপা, বাঁহী, মুৰুলী বা বেণু এইবোৰ বাদ্য যন্ত্ৰৰ কথাও

তেখেতে উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও গগণা নামৰ এবিধ মুখেৰে বজোৱা সৰু অসমীয়া যন্ত্ৰৰো প্ৰচলন আছে।

অসমৰ সঙ্গীতৰ অৱনতিৰ কাৰণ

মান, মৰাণ আদিৰ উপদ্ৰৱত অসমত অশান্তি, বিশৃঙ্খলা আদিৰ সৃষ্টি হোৱাত সাহিত্য, সমাজ আদি আন আন বিষয়ৰ দৰে সঙ্গীত বিষয়তো ভয়ঙ্কৰ অনিষ্ট হল। তাৰ পিছত ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰ লগে লগে বিদেশীৰ, বিশেষকৈ বঙালী কৰ্ম্মচাৰী-সকলৰ, আমদানী হোৱাত অসমীয়াৰো সুকীয়া কৃষ্টি, জাতীয় বৈশিষ্ট্য আদিৰ লগত বিদেশী কৃষ্টি বা সভ্যতাৰ সঙ্ঘৰ্ষ হল। আৰু পোন-প্ৰথমে আনৰ চাকচিক্য, জাকজমক আদি দেখি, আচাৰ-নীতি, সাজ-পাৰ, কথা-বাৰ্ত্তা আদি ভিন ভিন বিষয়ত আনক অনুকৰণ কৰিবলৈ ধাউতি হোৱাৰ দৰে, সঙ্গীত, নাট্য আদি বিষয়তো বিদেশী বা বিশেষকৈ বঙালী সঙ্গীত, নাট্য আদিয়ে অসীম প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে। ফলত ওপৰত উল্লেখ কৰি অহা অসমৰ নিজস্ব গীত-নৃত্য আদিৰ ফালে অসমীয়া জাতিয়ে পিঠি দিলে আৰু লাহে লাহে সেইবিলাকৰ আদৰ কমি আহিবলৈ ধৰিলে।

বৰ্ত্তমান যুগত সঙ্গীত চৰ্চ্চা

স্কুল, আদালত সকলোতে যেতিয়া বঙালী ভাষাৰ প্ৰচলন হবলৈ ধৰিলে অসমীয়া গীত-বাদ্য, নাট-নৃত্যৰ প্ৰচলন যে কমিব এইটো একো আচৰিত কথা নহয়। অসমীয়া সমাজৰ মনোবৃত্তি এনে হৈছিল যে অসমীয়া ভাষাত ভালকৈ গান ৰচনা হব পাৰে বুলি বিশ্বাস কৰিবলৈ টান পাইছিল। ১৮৮৮ চনত ৺সত্যনাথ বৰা ডাঙৰীয়াই "গীতাৱলী" নামে এখনি সৰু অসমীয়া গানৰ পুথি উলিয়ায়, আৰু সি বিপুল আদৰ লাভ কৰে। বৰপেটাবাসী ৺ ভকতৰাম দত্ত চৌধুৰী দেৱে ১৯০১ চনত "প্ৰণয় গান" নামেৰে এখনি উজু গানৰ পুথি ছপা কৰি উলিয়ায়। শ্ৰদ্ধেয় শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই আজি এই সঙ্গীত সন্মিলনী বহা মঙ্গলদৈত মুন্সিফ কাম কৰোঁতে ১৯০৬ চনত "বাঁহী" নামৰ এখনি অসমীয়া গানৰ পুথি ৰচি উলিয়ায়। আটাই-তকৈ উল্লেখযোগ্য কথা এই যে এতিয়ালৈকে সঙ্গীত বিষয়ক আধুনিক ধৰণৰ কোনো বৈজ্ঞানিক ধৰণৰ পুথি অসমীয়া ভাষাত নাছিল। এই অভাৱ দূৰ কৰিবৰ কাৰণে সঙ্গীত ওজা ৺লক্ষ্মীৰাম বৰুৱা ডাঙৰীয়াই "সঙ্গীত-কোষ" আৰু "সঙ্গীত-সাধনা" নামৰ দুখনি অমূল্য গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সঙ্গীত জগতত যুগান্তৰ উপস্থিত কৰে। এই লিখকৰ "ফুলনি" পুথিখনি বৰুৱা দেৱলৈ উছৰ্গা কৰোঁতে এই বুলি গাইছিলোঁ,—

"সৰগৰ সুধা আনি বিলালাহি মৰতক,
মৰতৰ মৰ্ম্মবাণী শুনালাহি সৰগক।
মুকলি কৰিলা বাট "সাধনা"ৰে সাধনাৰ,
বান্ধি দিলা নানা সুৰ বেণু বীণা বাজনাৰ।
"কোষৰ" অমূল্য ধন ধনী দীন সকলোৰে,
ঘৰে ঘৰে অসমৰ বিতাৰিলা অকাতৰে।"

দৰাচলতে অসমীয়া জাতিৰ সঙ্গীত চৰ্চ্চাৰ বুৰঞ্জীত ৺বৰুৱা দেৱৰ নাম সোণালী আখৰেৰে লিখা থাকিব। অসমীয়া গীতত যে আন ভাষাৰ গীতৰ নিচিনাকৈ বা তাতোকৈ অধিক পৰিমাণে সৌন্দৰ্য্য ফুটাই তুলিব পাৰি এই কথা বৰুৱা দেৱে সুন্দৰকৈ প্ৰতিপন্ন কৰিছে। অসমীয়া বিয়া-নাম, আই-নাম আদিতো তেখেতে সুৰ বান্ধি তাৰ আদৰ বঢ়াইছিল। তেখেতে নিজেই সঙ্গীতৰ আলোচনা কৰিছিল, তেখেতৰ বিদ্যা কৃপণৰ ধনৰ দৰে সাঁচি নথৈছিল, সকলোকে তাৰ ভাগ দিবলৈ যত্ন কৰিছিল। উঠি-অহা সঙ্গীতানুৰাগীসকলক তেখেতে পাৰ্য্যমানে উদগণি দিছিল আৰু সহায় কৰিছিল। "সঙ্গীত-কোষ" আৰু "সঙ্গীত-সাধনা" উলিৱাৰ পাছত তেখেতে "সঙ্গীত ৰত্নাৱলী" আদি কেইবাখনো পুথি উলিয়াবৰ মন কৰিছিল। কিন্তু নিষ্ঠুৰ কালে তেখেতক আজুৰি লৈ গল। দেৱলোকৰ সঙ্গীত-ধ্বনি তেখেতৰ কাণত পৰিলহি, তেখেত চিৰ সঙ্গীতময় ৰাজ্যলৈ প্ৰয়াণ কৰিলে।

ওপৰত উল্লেখ কৰি অহা সঙ্গীতৰ পুথি কেইখনিৰ পিছত এই অভাজনে তাহানিখন ছাত্ৰাৱস্থাতে ৺লোহিতচন্দ্ৰ ভূঞা দেৱৰ উদগণিত "ফুলনি" নাম দি এখনি অসমীয়া গীতৰ সৰু পুথি উলিয়াওঁ। সেই পুথিয়ে ৰাইজৰ হাতত আশাতীত আদৰ লাভ কৰে আৰু ৰাইজৰ আশীৰ্ব্বাদত ইয়াৰ তৃতীয় তাঙৰণ কেই বছৰমানৰ ভিতৰত

ওলাই সোনকালে আদায় হয়। ফুলনিৰ পিছত "স্বৰাজ-সঙ্গীত" আৰু "গীতি-লহৰী" নামৰ দুখনি গীতৰ পুথি এই লিখকে উলিয়ায়। সেই দুখনৰো আদৰ যথেষ্ট হৈছে।

আমাৰ সৌভাগ্যৰ বিষয় স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱা ডাঙৰীয়াই যিখিনি কাম অসম্পূৰ্ণ অৱস্থাত এৰি গল, সঙ্গীতবিশাৰদ কলাবিদ্যাবিৎ শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ ডাঙৰীয়াই সেই কাম সম্পূৰ্ণ কৰিবলৈ আৰু অসমীয়া সঙ্গীতৰ মৰ্য্যদা বঢ়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। যেতিয়া গুৱালপাৰাত অসমীয়া ভাষাৰ আদৰ কমিছিল, যেতিয়া গুৱালপাৰা জিলাক বঙ্গ দেশে কঢ়া-আজোৰা লগাইছিল, তেতিয়া বৰদলৈ ডাঙৰীয়া ৰাজকীয় কাৰ্য্যোপলক্ষে গুৱালপাৰাত থাকোঁতে গধুৰ কাৰ্য্য-ভাৰৰ পৰা অৱসৰ উলিয়াই অসমীয়া গান গুৱালপৰীয়া সঙ্গীতানুৰাগী লোকৰ আৰু ডেকা-গাভৰুৰ মাজত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰি বহুত পৰিমাণে কৃতকাৰ্য্য হৈছিল। তাৰ পাছত তেওঁৰ বহু বছৰ ব্যাপী সাধনাৰ ফলস্বৰূপে "অসমীয়া সুৰ পৰিচয়" নামৰ এখনি অতি ওখ ধৰণৰ অতি লাগতিয়াল গ্ৰন্থ ছপাই উলিয়াই অসমীয়া সঙ্গীত সাহিত্যৰ ভৰাল চহকী কৰিলে। সেই পুথিখনিত অসমত যে পুৰণি কালৰে পৰা গীত, বাদ্য, নৃত্য আদিৰ চৰ্চ্চা আছিল তাক বিশদৰূপে ব্যাখ্যা কৰা হৈছে। তদুপৰি তেখেতে তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত মুক্তিনাথ বৰদলৈৰ সহযোগত সৰু লৰা-ছোৱালীৰ উপযোগী সুললিত সুৰৰ সমাবেশ কৰি "বাসন্তীৰ অভিষেক" আৰু "লুইত কোঁৱৰ" নামৰ নাটিকা ৰচি উলিয়াই অসমীয়া ৰাইজৰ কৃতজ্ঞতা ভাজন হৈছে। পিতা-পুত্ৰৰ যুটীয়া পৰিশ্ৰম সফল হৈছে। বৰদলৈ দেৱৰ "সুৰ-বিজয়" নাটত কামৰূপৰ সুৰে যে আন দেশৰ সুৰক পৰাস্ত কৰিব পাৰে, তাক আলঙ্কাৰিক ভাৱে দেখুৱাই নিজৰ মৌলিকতা আৰু দেশ-হিতৈষণাৰ চিনাকী দিছে। ডাঃ শ্ৰীযুত দেবেন্দ্ৰনাথ চাংকাকতী দেৱেও "সঙ্গীত উপক্ৰমণিকা" নামৰ এখনি সঙ্গীত বিজ্ঞানৰ পুথি উলিৱাত আমি ৰং পাইছোঁ।

আৰু এটি সুখৰ কথা এই যে বৰ্ত্তমান যুগত অসমীয়া সঙ্গীত ৰচনাত কেইবাজনো স্বদেশানুৰাগী লোকে মনোযোগ দিছে। অসমীয়া তেজীমলা, আই-নাম, বিহু-গীত ইত্যাদি সুৰৰ সুন্দৰ অসমীয়া গীত ৰচনা কৰাৰ পোন প্ৰথম আৰ্হি দেখুৱায় শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই। তেখেতৰ "জয়মতী" আদি নাটৰ গীত কেইটিমান তাৰ সুন্দৰ চানেকি। শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী ডাঙৰীয়াই বৰগীতৰ সুৰৰ লগত সামঞ্জস্য ৰাখি ভালেমান সুৰৰ জাতীয় গীত ৰচনা কৰি সকলোকে মুগ্ধ কৰিছে। ৺সিংহদত্ত দেৱ অধিকাৰীয়ে এখন সৰু গানৰ পুথি ছপাই উলিয়াইছিল। "ভকতৰ ধন" নামৰ এখন আধ্যাত্মিক ভাবৰ গীতৰ পুথি শ্ৰীযুত ভকতৰাম দত্ত চৌধুৰীয়ে, সেই কালৰ এগৰাকী সঙ্গীতানুৰাগী লোকে, প্ৰকাশ কৰে। শ্ৰীযুত উমেশচন্দ্ৰ চৌধুৰী দেৱে মনোহৰ ভাব আৰু ভাষাৰ সমাবেশ কৰি হৃদয়গ্ৰাহী জাতীয় আৰু আন ধৰণৰ সঙ্গীত ৰচনা কৰিছে। সঙ্গীতজ্ঞ শ্ৰীযুত কমলানন্দ ভট্টাচাৰ্য্য দেৱৰ "বাউলী" পুথিখনি সুন্দৰ গীতৰ সমষ্টি। তাত তেখেতৰ শুৱলা ৰচনা-ভঙ্গী আৰু কবিত্ব-শক্তিৰ চিন জিলিকি আছে। শ্ৰীযুত ডিম্বেশ্বৰ নেওগ দেৱে আন আন বিষয়ৰ দৰে সঙ্গীত ৰচনাতো হাত দিছে আৰু এখনি গীতৰ পুথিও ৰচি উলিয়াইছে। শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ডাঙৰীয়াই ডিব্ৰুগড়ত বহা সঙ্গীত সন্মিলনীৰ সভাপতিৰ আসনৰ পৰা যি অভিভাষণ পাঠ কৰিছিল, তাত তেখেতৰ সঙ্গীত ব্যুৎপত্তিৰ সুন্দৰ পৰিচয় পোৱা গৈছিল। তেখেতে যদিও সৰহ গান ৰচনা কৰা নাই যি কেইটি ৰচিছে সি অতি ওখ ধৰণৰ। শ্ৰীযুত আনন্দ বৰুৱাৰ কেইটিমান গান মনোগ্ৰাহী হৈছে। স্বৰ্গীয় দেবেন্দ্ৰ বৰদলৈ নামৰ এজন যোৰহাটৰ উঠি অহা ডেকাই সঙ্গীত বিদ্যাত বিশেষ পাৰ্গতালি দেখুৱাইছিল। তেওঁৰ অকাল মৃত্যুত অসমীয়া সঙ্গীতৰ বিশেষ ক্ষতি হৈছে। শ্ৰীমান পাৰ্ব্বতীপ্ৰসাদ বৰুৱা দেৱে গৰখীয়া গীত আদিৰ সমন্বয় ৰাখি ৰচা কেইটিমান গীত আজি অসমৰ ঘৰে ঘৰে শুনা যায়। শ্ৰীযুত নাৰায়ণচন্দ্ৰ বৰুৱা দেৱে "আই মোৰ আজিৰে তিথিতে" আদি অসমীয়া ঠাচৰ কেইটামান শুৱলা গীত ৰচিছে আৰু তেখেতে বৈজ্ঞানিক প্ৰাণালীৰে সঙ্গীত চৰ্চ্চা কৰাত বিশেষ মনোযোগ দিছে। শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই কেইবাটিও ওখ ধৰণৰ জাতীয় গীত

ৰচনা কৰি তেখেতৰ স্বদেশ-প্ৰীতিৰ চিনাকী দিছে। তেখেতৰ "কৃষ্ণলীলা" নাটৰ গীত কেইটি অতি শুৱলা। এই প্ৰসঙ্গত শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা দেৱলৈ বিশেষকৈ আঙুলিয়াব খোজোঁ। তেখেতে বিলাতলৈ যোৱাৰ পূৰ্ব্বে "শোণিত-কুঁৱৰী" নামৰ নতুন ধৰণৰ নাট এখন ৰচি তাত এনে ভাবৰ গীতৰ সমাবেশ কৰিলে যে সি অসমীয়া সঙ্গীত জগতত যুগান্তৰ উপস্থিত কৰাৰ নিচিনা হল। তেখেতৰ "গছে গছে পাতি দিলে। অ সখি আহিব প্ৰিয়া, নুপুৰ বাজে ৰুণুজুনু।" আদি গানত অসমীয়া ঠাচ্, অসমীয়া ভাব আৰু অসমীয়া সুৰ এনে ভাৱে ৰজিতা খাইছে যে তাৰ মধুৰতা আৰু সৌন্দৰ্য্য বৰ্ণাই অন্ত কৰিব নোৱাৰি। ইউৰোপত তেখেতে আন ডিগ্ৰী বা ডিপ্লোমা লাভ কৰিবলৈ মন নিদি ভিন্ ভিন্ দেশৰ সঙ্গীত চৰ্চ্চাৰ বিষয়ে অভিজ্ঞতা লাভ কৰাতে বিশেষ মনোযোগ দিলে। তাৰ ফলত আমি তেখেতৰ পৰা পাশ্চাত্য সুৰত সংযোগ কৰি ৰচা কেইটামান নতুন ধৰণৰ জাতীয় গান লাভ কৰিছোঁ আৰু আগলৈকো কৰিম বুলি আমাৰ আশা হৈছে। সেই অভিজ্ঞতাৰ আৰু এটি সুফল আমি ভোগ কৰিবলৈ পাইছোঁ। আজি জগতৰ তথা ভাৰতৰ যি ব্যৱসায়ে বা যি আৰ্টে সবাতকৈ প্ৰতিপত্তি লাভ কৰিছে, সেই ফিল্ম ব্যৱসায়ৰ অসমত অভাৱ গুচাবৰ কাৰণে আগৰৱালা দেৱে বহুত কষ্ট আৰু অৰ্থ ব্যয় কৰি ভালেমান ঘৰুৱা জঞ্জাল বাধা-বিঘিনি কাটি কৰি থৈ পোন প্ৰথম অসমীয়া চিত্ৰ-প্ৰতিষ্ঠান "চিত্ৰলেখা মুভিটন কোম্পানী"ৰ প্ৰাণ প্ৰতিষ্ঠা কৰি অসমীয়া জাতিক চমৎকৃত কৰিছে আৰু অসমৰ হলিউড "চিত্ৰবন" প্ৰতিষ্ঠা কৰি তাক নন্দন-কাননত পৰিণত কৰিছে।

শ্ৰীযুত মিত্ৰদেৱ মহন্ত ডাঙৰীয়াৰ নাম এই প্ৰসঙ্গত উল্লেখ নকৰিলে বিষয়টিৰ প্ৰতি অবিচাৰ কৰা হব। "চিৰ চেনেহী ভাষা-জননী"ৰ সেৱা তেখেতে একনিষ্ঠ ভাৱে কৰি আহিছে। তেখেতৰ ৰচিত গীতবিলাকত অসমীয়াত্ব ফুটি উঠিছে। সেইবিলাক সঁচাকৈয়ে মৰ্ম্মস্পৰ্শী। তদুপৰি তেখেতে পোন প্ৰথম ধেমেলীয়া গীত আৰু কথা-বতৰাৰ ৰেকৰ্ড দি এটি ডাঙৰ অভাৱ পূৰণ কৰাৰ লগে লগে অসমীয়া ৰাইজৰ মাজত হাঁহিৰ থুনুপাক মেলি দিছে।

সঙ্গীতানুৰাগী দেশহিতৈষী লোকৰ যত্নত সঙ্গীত চৰ্চ্চালৈ অসমীয়া ৰাইজৰ আদৰ ক্ৰমে বাঢ়ি অহাৰ সুস্পষ্ট লক্ষণ দেখা গৈছে। যোৰহাটৰ বাণী সন্মিলনী, গোলাঘাটৰ পূৰ্ণিমা সন্মিলনী, তেজপুৰৰ সঙ্গীত সন্মিলনী আৰু গুৱাহাটীৰ সন্ধিয়া সন্মিলনীৰ উদ্দেশ্য হৈছে জনসাধাৰণৰ মাজত সঙ্গীতৰ চৰ্চ্চা বঢ়োৱা আৰু নিয়মিতৰূপে সঙ্গীতৰ অনুশীলন আৰু শিক্ষা কৰি পাৰ্গতালি লাভ কৰিবলৈ উঠি অহা তৰুণ সম্প্ৰদায়ক উদগণি দিয়াটো। এই কেইখন সন্মিলনীত বাছকবনীয়া গায়ক আৰু বাদকসকলৰ সমাবেশ হয়, আৰু সংসাৰৰ বিষয়-জঞ্জালৰ পৰা আঁতৰি শ্ৰোতামণ্ডলীয়েও বিমল আনন্দ আৰু আমোদ উপভোগ কৰে। আমি তিনিওটি অনুষ্ঠানৰে উত্তৰোত্তৰ উন্নতি কামনা কৰোঁ।

কিন্তু ক্ৰমে সঙ্গীতৰ প্ৰতি অনুৰাগ বাঢ়িলেও এতিয়াও যথেষ্ট হোৱা নাই আৰু বঙ্গ দেশ আদিৰ তুলনাত আমাৰ চৰ্চ্চা আৰু আলোচনা একেবাৰে নাই বুলিব লাগে। এতিয়ালৈকে অসম দেশত এটি সঙ্গীতৰ শিক্ষা দিয়া অনুষ্ঠান নোহোৱাটো অতি পৰিতাপৰ বিষয়। বঙ্গ দেশত সন্মিলনী আদি নানান্ অনুষ্ঠান আছে। তাত শিক্ষকসকলে নিয়মমতে বৈজ্ঞানিক প্ৰণালীৰে শিক্ষা দিয়ে। তদুপৰি সঙ্গীত বিজ্ঞান প্ৰবেশিকা আদি কেৱল সঙ্গীত বিষয়ক আলোচনী ওলাইছে। আমাৰ স্কুল-কলেজবিলাকত এতিয়াও সঙ্গীতৰ সুকীয়া শ্ৰেণী খোলা হোৱা নাই। মোৰ ক্ষুদ্ৰ বিবেচনাৰে অতি সোনকালে ইয়াৰ ব্যৱস্থা হোৱা উচিত। স্কুল-কলেজবোৰত সঙ্গীতৰ সুকীয়া শ্ৰেণী খুলি সুকীয়া শিক্ষক ৰখাৰ দিহা হোৱাৰ নিতান্ত দৰ্কাৰ। সাহিত্য, গণিত, ভূগোল, বুৰঞ্জী, কণিক চেক্সন, ট্ৰিগণমেট্ৰিৰ শিক্ষা দিয়া হয়; অথচ তাহানিখনৰ ঋষি-মুনিসকলে, গ্ৰীক দাৰ্শনিকসকলে, বৰ্ত্তমান যুগৰ সৰ্ব্বশ্ৰেষ্ঠ মানৱ মহাত্মা গান্ধীয়ে বিদ্যাবোৰৰ মাজত ইমান ওখ ঠাই দিয়া সঙ্গীত বিদ্যাৰ শিক্ষা দিয়াৰ ব্যৱস্থা নথকাটো অতি পৰিতাপৰ

সঙ্গীত বিষয়ত আমাৰ কৰ্ত্তব্য

বিষয়। কাশীৰ হিন্দু বিশ্ববিদ্যালয়ত সঙ্গীত শিক্ষাৰ সুন্দৰ ব্যৱস্থা আছে। পাটনাৰ বিশ্ববিদ্যালয়ত সঙ্গীতৰ ক'ৰ্চ (Course) আই-এ আৰু বি-এ শ্ৰেণীৰ বাবে সুকীয়াকৈ বন্ধা আছে। সঙ্গীতৰ বিষয়ত সুকীয়া ডিগ্ৰী বা ডিপ্লোমা দিয়া হয়। কলিকতা বিশ্ববিদ্যালয়ত ইয়াৰ ব্যৱস্থা কৰাৰ বাবে আন্দোলন হোৱা উচিত।

আৰু এটি কথা। আমাৰ দেশৰ সৰু ছোৱালীবোৰে পঢ়া অৱস্থাত অলপ গান-বাজনা শিকিলে অলপ ডাঙৰ হলেই তাক নেওচা দিয়া দেখা যায়। মই এটি অপ্ৰিয় সত্য কথা কবলৈ বাধ্য হলোঁ যে ছাত্ৰীবোৰে বিয়া কৰাৰ পিছতে সঙ্গীতক জলাঞ্জলি দিয়ে। বোধ কৰোঁ তেওঁলোকে সঙ্গীত শিক্ষা কৰাৰ উদ্দেশ্য ইতিপূৰ্ব্বে সাধন হল বুলিয়েই তেনে কৰে হবলা। কিন্তু সঙ্গীতৰ নিচিনা মহৎ পবিত্ৰ বস্তুৰ প্ৰতি তেনে আচৰণ নকৰি সঙ্গীতৰ জ্ঞান লাভ কৰা আত্মাৰ পৰিতৃপ্তি আৰু প্ৰাণৰ শান্তিৰ কাৰণে প্ৰধান লাগতিয়াল বস্তু বুলি গণ্য কৰা উচিত।

এইখিনিতে এটা প্ৰশ্ন উঠে যে আমি কেনে ধৰণৰ গান শিকা উচিত? সঙ্গীত বহলাই দুভাগত ভাগ কৰিব পাৰি। ভাৰতীয় সঙ্গীত আৰু পাশ্চাত্য সঙ্গীত। দুয়ো বিধ সঙ্গীতৰে বিশেষত্ব আছে। ভাৰতীয়ত Melody-ক আৰু পাশ্চাত্যত Harmony-ৰ ওপৰত বেছি জোৰ দিয়া দেখা যায়। এই দুয়ো বিধ সঙ্গীতৰ চৰ্চ্চা কৰিব পাৰিলে ভালৰেই কথা, কাৰণ জ্ঞান বা বিদ্যা লাভত জাত-কুল বা দেশ-কাল-পাত্ৰৰ বিচাৰ নাই। কিন্তু সম্প্ৰতি আমাৰ জল-বায়ু, ভাব-গতিৰ উপযোগী ভাৰতীয় সঙ্গীত অনুশীলন কৰাতহে আমি বিশেষ মনোযোগ দিব লাগে বলি ভাবোঁ। ভাৰতীয় আৰু পাশ্চাত্য সঙ্গীতৰ মাজত প্ৰধান পাৰ্থক্য এই যে পাশ্চাত্য সঙ্গীতৰ কোনো জাতিত্ব পৰিচায়ক স্বৰবিন্যাস বা ৰাগ-ৰাগিণী নাই। তেওঁবিলাকৰ প্ৰত্যেক গীতৰ সুৰৰে বেলেগ স্বৰবিন্যাস আৰু তাৰ কোনো বিশেষ অংশ অন্য এটি অংশৰ লগত মিল নাই।

ভাৰতীয় ৰাগিণীবোৰৰ ৰচনা কৰা বহুত গানৰ সুৰ বহুতে ভুলতে বঙালী সুৰ বুলি কয়। প্ৰাচীন ভাৰতৰ ঋষি-মুনি আৰু সঙ্গীত কলাবিৎসকলে বান্ধি থোৱা ৰাগ-ৰাগিণী ভাৰতীয় বঙালীৰ একচেতীয়া সম্পত্তি নহয়। অৱশ্যে কীৰ্ত্তন, ভাটিয়ালীৰ নিচিনা বঙালী জাতিৰ কিছুমান সুকীয়া সুৰ আছে। তদুপৰি গাৱঁলীয়া জন-সাধাৰণৰ মাজতো Folk songs আৰু Folk dances সুকীয়াকৈ প্ৰচলিত আছে। আমাৰ অসমতো তেনেকৈ বৰগীত, বিহুগীত, দেহবিচাৰৰ গীত, দুৰ্গাবৰী, বিয়া-নাম, আই-নাম আদি আমাৰ নিজস্ব সুকীয়া সম্পত্তি আছে। এইবিলাক নিয়মিতৰূপে চৰ্চ্চা আৰু আলোচনা কৰি সেইবিলাকৰ অস্তিত্ব বজাই ৰখা আৰু সেইবিলাকৰ আদৰ বঢ়োৱা আমাৰ কৰ্ত্তব্য। কিন্তু আমি ভাৰতীয় সঙ্গীতৰ নিচিনা ওখ ধৰণৰ সঙ্গীতৰ মোল বুজিবলৈ হলে অকল অসমীয়াৰ সুৰ কেইটাতে আৱদ্ধ থাকিলে নহব আৰু অসমীয়াৰ বাহিৰে আন সুৰবোৰ বঙালী সুৰ বুলি উপলুঙা কৰাও মহাভ্ৰম হব। এই সম্পৰ্কে ৺লক্ষ্মীৰাম বৰুৱা দেৱে লিখা কথা উদ্ধৃত নকৰি নোৱাৰিলোঁ। "কাৰো কাৰো মনত এনে ধাৰণা আছে যে শঙ্কৰদেৱে আৰু মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সুৰ কেইটাহে অসমীয়া। তাৰ বাহিৰে আনবিলাক বঙালী সুৰ। এইটো যে নিতান্ত ভ্ৰমাত্মক, তাক কোৱা বাহুল্য মাথোন। আমাৰ দেশত অধিকাংশ মানুহৰ আন বিষয়ত যেনেকৈ স্বাধীন বিদ্যাৰ সোঁত লোপ পাই আহিছে সঙ্গীততো তেনে দেখা যায়। যি হৈ গৈছে তাতকৈ আৰু হব নোৱাৰে এই বিশ্বাস আমাৰ জাতীয় জীৱনত দকৈ সোমাইছে। শঙ্কৰদেৱ আৰু মাধৱদেৱে কৰা বৰগীতৰ সুৰবিলাক আমাৰ ভাষাৰ আদি চৰ্চ্চা মাথোন। তেখেতসকলে যি সূত্ৰেৰে সেই সুৰবিলাক সৃষ্টি কৰিছিল, তাক কেনোবাই অনুসন্ধান কৰি চাইছে জানো? সেইবিলাকৰ তাল আজিকালি বহুতে নেজানে। বৰং তাক তেনেকৈ গাব খুজিলে বঙালী সুৰ হল বুলি অশ্ৰদ্ধা কৰে। অসমত বহুত দিনৰ পৰা বঙালী মানুহৰ আৰু বঙালী ভাষাৰ প্ৰাদুৰ্ভাব থকা গতিকে বঙালী ভাষাৰ গান আমাৰ ভাষাত চলিত হোৱাত আৰু সেইবিলাক গান যি যি সুৰত গোৱা হৈছিল অৰ্থাৎ ঝিঝিৎ, খাম্বাজ, ভৈৰবী,

বেহাগ আদি সুৰবিলাক বঙালী সুৰ বুলি মানুহৰ ধাৰণা হোৱাৰ একমাত্ৰ আচল কাৰণ—আমাৰ মাজত সঙ্গীতৰ যথেষ্ট জ্ঞান আৰু চৰ্চ্চাৰ অভাৱ।"

ৰাগ, ৰাগিণী, তাল, জমক, মূৰ্চ্ছনা, গীতকিৰী, নৃত্য, বাদ্য ইত্যাদি সঙ্গীতৰ ভিন্ ভিন্ উপকৰণবিলাকৰ বিষয়ে নিয়মিতৰূপে জ্ঞান অৰ্জ্জা আৰু শিক্ষা লাভ কৰিব পাৰিলেহে আমি সঙ্গীত ক্ষেত্ৰত উন্নতি লাভ কৰিব পাৰিম। আমাৰ জনদিয়েক সঙ্গীতানুৰাগী লোকক বৈজ্ঞানিক প্ৰণালীৰে শিক্ষা লাভ কৰিবলৈ বিদেশলৈ পঠোৱা উচিত, আৰু দেশহিতৈষী ধনীসকলে এই বিষয়ত অকাতৰে সাহায্য আগ বঢ়োৱা উচিত। তদুপৰি সঙ্গীতজ্ঞ লোক আনি অসমৰ ঠায়ে ঠায়ে সঙ্গীত শ্ৰেণী বা সঙ্গীত বিদ্যালয় খুলি লৰা-ছোৱালী, ডেকা-বুঢ়া, মুনিহ-তিৰোতা সকলোৱে সঙ্গীত শিক্ষা কৰাৰ ব্যৱস্থা কৰাৰো সময় হৈছে।

সঙ্গীতত বৈজ্ঞানিক অভিজ্ঞতা হলে বৰগীতকে আদি কৰি নিভাঁজ অসমীয়া সুৰবিলাক কোন ৰাগ-ৰাগিণীৰ বা কোন তালৰ অন্তৰ্ভুক্ত কোন তালত খুৱাব পাৰি, ইত্যাদি কথা বিশ্লেষণ কৰি ভাগে ভাগে সজাব, analyse, classify আৰু arrange কৰিব পৰা যাব। বিয়া-নাম, আই-নাম, গৰখীয়া গীত folk songs আদিকো এই দৰে শ্ৰেণীভুক্ত কৰিব পৰা যায়। এইবিলাকৰ নিয়মিত ৰূপে সুৰ বান্ধি সুৰলিপি আদি প্ৰকাশ কৰাৰ দিহা কৰিলে সেইবোৰৰ আদৰ বাঢ়িব।

ভাৰতীয় সঙ্গীত মাত্ৰেই আমি চৰ্চ্চা কৰিব লাগিব, কিন্তু অসমীয়াৰ সুকীয়া গীত, বাদ্য, নৃত্যৰ প্ৰচলন আৰু আদৰ অটুট ৰাখিবৰ যুগুত ব্যৱস্থা কৰাটোও আমাৰ প্ৰধান কৰ্ত্তব্য। বঙ্গ দেশত শ্ৰীযুত গুৰুসদয় দত্ত আই-চি-এচ মহোদয় folk songs আৰু "ৰাইবিশী" আদি folk dance-বিলাকৰ প্ৰচাৰ কৰিবলৈ প্ৰাণ-পণে যত্ন কৰি সকলোৰে শলাগৰ পাত্ৰ হৈছে। আমাৰ দেশতো গৰখীয়া গীত, বিহু-নাম আদিৰ আবৰ্জ্জনা-বিলাক বাদ দি সেইবিলাক পৰ্ব্ব-উৎসৱ আদিত শুনাবলৈ দিহা কৰাৰ দৰকাৰ হৈছে। বিশ্বভাৰতীৰ শ্ৰীযুত দেবেন্দ্ৰ সত্যাৰ্থীয়ে গোটেই ভাৰততে ঘূৰি-পকি ফুৰি folk songs-বিলাক গোটাই প্ৰকাশ কৰাটোকেই তেখেতৰ জীৱনৰ ব্ৰত কৰি লৈছে। তেখেতে Modern Review-ত প্ৰকাশ কৰা এটা প্ৰৱন্ধত আমাৰ বিহুগীত, লৰা-নিচুকুৱা নাম আদিত অনুপম সৌন্দৰ্য্য আৰু মাধুৰী লুকাই আছে বুলি স্পষ্টকৈ কৈছে আৰু তাৰ চানেকী স্বৰূপে দুটিমান গীতৰ ইংৰাজী ভাঙনী উলিয়াইছে। শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা দেৱৰ "বহাগী" নামৰ গৰখীয়া গীতৰ সমষ্টি থকা পুথিখনিতে ভূমিকাত অসমৰ গৰখীয়া গীতবিলাকৰ সৌন্দৰ্য্য ফঁহিয়াই দেখুৱাইছে। তেখেত আৰু শ্ৰীযুত ডিম্বেশ্বৰ নেওগ দেৱে "আকুল পথিক" নাম দি কিছুমান বিহু-গীত প্ৰকাশ কৰি সাহিত্যৰ সম্পদ বঢ়াইছে; আৰু নেওগৰ "ভোগজৰা"ত সন্নিবিষ্ট কৰা আই-নামবোৰো আমাৰ আপুৰুগীয়া বৈভৱ।

বৰ্ত্তমান সময়ত আমাৰ যিবিলাক অসমীয়া গীত ৰচিত হৈছে তাৰ ভিতৰত সৰ্ব্বোৎকৃষ্টবিলাক বাছি প্ৰকাশ কৰাৰ প্ৰস্তাৱ শিৱসাগৰৰ সাহিত্য সভাত গৃহীত হৈছিল, আৰু শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ প্ৰমুখ্যে জনদিয়েক সঙ্গীতানুৰাগী লোকক এই কামৰ ভাৰ দিয়া হৈছিল। কিন্তু আমাৰ দেশৰ ভালেমান প্ৰস্তাৱ তুলাপাতত আৱদ্ধ থকাৰ দৰে ইও তুলাপাতত হে জিলিকি আছে, প্ৰস্তাৱ কাৰ্য্যলৈ ভাঙনী কৰা হোৱাৰ একো গম পোৱা নাই এথোন। আশা কৰোঁ উদ্যোগী বৰদলৈ দেৱে গা লৰাব।

গীত, বাদ্য আৰু নৃত্য এই তিনিওটি সঙ্গীতৰ ঘাই উপকৰণ। কিন্তু নাট্যকলা সঙ্গীতৰ আনুসঙ্গিক কথা। নাট্যকলাৰ উন্নতিৰ ওপৰত সঙ্গীতৰ উন্নতি বহুত পৰিমাণে নিৰ্ভৰ কৰে। নাট্যকলা চৰ্চ্চা, অভিনয় আদিৰ গীত, বাদ্য, নৃত্য অপৰিহাৰ্য্য অঙ্গ। শ্ৰীশঙ্কৰদেৱে প্ৰৱৰ্ত্তন কৰা ভাওনাবোৰৰ আমি লাগতিয়াল সংস্কাৰাদি কৰি তাৰ প্ৰচলন বঢ়োৱা দৰকাৰ পৰিছে। অঙ্কীয়া নাটবোৰত আৱশ্যক হলে ঠায়ে ঠায়ে আধুনিক সাজ-পাৰ পিন্ধাই অস্বাভাৱিকতা, আৱৰ্জ্জনা বাদ দি কৰিলে

বাইজৰ আমোদ আৰু তৃপ্তি নোহাৱাকৈ নেথাকে। বৰ্ত্তমান কালৰ কচিৰ উপযোগী কৰি সেইবোৰৰ অভিনয় কৰিবলৈ উৎসাহী লোকে মন দিব বুলি আশা কৰিলোঁ। সূত্ৰধৰ নাচ আৰু সত্ৰীয়া নাচত নৃত্যকলাৰ সুন্দৰ নিদৰ্শন থকাৰ উপৰিও একোটি সুকীয়া বৈশিষ্ট্য আছে। আজি ১০০ বছৰমানৰ পূৰ্ব্বে ওৱাহাটীৰ সনাতন ধৰ্ম্ম সভাঘৰত শ্ৰীঅক্ষিণপাট সত্ৰৰ এটি ভকত লৰাৰ নৃত্য দেখি অসমীয়া বঙালী সকলো সম্প্ৰদায়ৰ লোক বিমুগ্ধ হৈছিল। এই নৃত্যবিলাকৰ প্ৰচলন জাতীয় সম্পদ বঢ়াৰৰ কাৰণে নিতান্ত লাগতিয়াল।

সুখৰ বিষয় বৰ্ত্তমান কালত ভালেমান অসমীয়া নাট ৰচিত হৈছে আৰু ৰাইজেও সেইবিলাকৰ আদৰ কৰি তাৰ অভিনয় আদি কৰিছে। এই সম্পৰ্কে আগৰ তৰপৰ শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা, শ্ৰীযুত দুৰ্গা-প্ৰসাদ মজিন্দাৰ বৰুৱা, শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা, শ্ৰীযুত বেণুধৰ ৰাজখোৱা, শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ, ৺দেবকান্ত বৰদলৈ, ৺পূর্ণকান্ত শৰ্ম্মা আৰু বৰ্ত্তমান তৰপৰ শ্ৰীযুত কমলানন্দ ভট্টাচাৰ্য্য, শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা, শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ, মৌলবী পজিকদ্দিন আহম্মদ, শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা, শ্ৰীযুত প্ৰসন্ননাৰায়ণ চৌধুৰী, শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা, শ্ৰীযুত তপেশ্বৰ দেৱশৰ্ম্মা, শ্ৰীযুত লক্ষীকান্ত দত্ত, শ্ৰীযুত প্ৰভাতচন্দ্ৰ শৰ্ম্মা, শ্ৰীযুত কীৰ্ত্তি আৰু মুক্তি বৰদলৈ, শ্ৰীযুত কামাখ্যা ঠাকুৰ, শ্ৰীযুত আনন্দ বৰুৱা আদিৰ নাম উল্লেখ কৰি তেখেতসকলৰ লগাত লগোঁ। বঙালী নাটকৰ প্ৰেতাত্মাবিলাকৰ ভাও কৰি হাঁহিয়াতৰ পাত্ৰ হোৱাতকৈ অপণ খুঁতি থাকিলেও মৌলিক অসমীয়া নাটবোৰৰ অভিনয় কৰিলে সাহিত্যৰ সম্পদ বাঢ়ে, সঙ্গীত নাট্যকলাৰ চৰ্চ্চা বৃদ্ধি হয়, আৰু লগে লগে লিখকসকলেও উদ্বুদ্ধনি পায়। অৱশ্যে সংস্কৃত বা ইংৰাজী ভাল ভাল নাটকৰ ভাঙনী বা ছাঁলৈ লিখা নাটবো (adaptation) বিশেষ আৱশ্যকতা আছে।

এতিয়া এই কেইটা বিষয়লৈ মই আপোনালোকৰ নামেযোগ আকৰ্ষণ কৰিব খোজোঁ।

(ক) ৰবীন্দ্ৰতৰ নিৰ্ভাঁজ সুৰবিলাক উলিয়াবলৈ চেষ্টা কৰি তাৰ সুৰবিলি প্ৰকাশ কৰাৰ দিহা কৰা ভাল। সত্ৰবিলাকত বৰগীতৰ যি সুৰ আছে, সেইবোৰ সঙ্গীতাচাৰ্য্যসকলে পৰীক্ষা কৰি ৰাগ, ৰাগিণী, তাল আদিৰ নিয়মিতৰূপে শ্ৰেণীবদ্ধ কৰা উচিত।

(খ) ভাওনাবিলাক আমাৰ জাতীয় সম্পদ। আমি থিয়েটাৰ যাত্ৰাত ভোল গৈ আমাৰ এই জাতীয় ধন আওহেলা কৰিলে দেশদ্ৰোহিতাৰ কাম কৰা হয়। ভাওনাবোৰ আধুনিক কচিৰ উপযোগী কৰি কৰিলে জনসাধাৰণৰ চিত্তাকৰ্ষক নোহোৱাকৈ নেথাকে। সংকীৰ্ত্তন, ৰামলীলা আদি আন দেশৰ জাতীয় অনুষ্ঠান যদি যুগমীয়া কৰি ৰাখিব পাৰিছে, আৰু অসমবো গাৰেঁ-ভূঞে তাৰ প্ৰকোপ চৰিছে—আমাৰ মহাপুৰুষসকলে অশেষ পৰিশ্ৰম কৰি প্ৰৱৰ্ত্তন কৰা এই জাতীয় অনুষ্ঠান জীয়াই ৰাখিব নোৱাৰাৰ বা তাৰ আদৰ নবঢ়াৰ কোনো কাৰণ নাই।

(গ) বঙালী সংকীৰ্ত্তনৰ প্ৰাদুৰ্ভাৱ গাৰেঁ-ভূঞে দেখা গৈছে। ৰৰ দুখৰ বিষয় যে অসমৰ নাম-প্ৰসঙ্গ, দিহা-নাম, ছিবা-নাম আদি নিজা বস্তু থাকোঁতে আমি পৰৰ বস্তুত উন্মত্ত হৈছোঁ আৰু পৰিতাপৰ বিষয় যে ভালেমান ঠাইত অসমীয়া জনা-বুজা নাইবা উচ্চ শিক্ষিত লোকেও বিজাতীয়া সংকীৰ্ত্তন আদিৰ প্ৰচলনক প্ৰশ্ৰয় দিবলৈ কুণ্ঠিত হোৱা নাই। অসমীয়া শিক্ষিত লোকে ঈশ্বৰৰ উপাসনা কৰিবলৈ, নিজৰ মহাপুৰুষে নিজৰ ভাষাত সুন্দৰকৈ বচা নাম গাবলৈ, চাপৰি বজাবলৈ লাজ পোৱাটো অতি পৰিতাপ আৰু লাজৰ কথা। প্ৰত্যেক নাম-ঘৰ বা আন কোনো বাজহুতা ঠাইত অন্ততঃ সপ্তাহত এবাৰ নাম-কীৰ্ত্তন কৰাৰ দিহা হব লাগে আৰু শিক্ষিতসকলে তাত নিঃসঙ্কোচে যোগ দিব লাগে।

(ঘ) আমাৰ অসমৰ নিৰ্ভাঁজ অসমীয়া গীত, সুৰ, নাচ আদি যদি আমি study নকৰোঁ, অনুশীলন নকৰোঁ, culture নকৰোঁ, চৰ্চ্চা নকৰোঁ আৰু সেইবোৰৰ বহল প্ৰচাৰৰ যুগুত ব্যৱস্থা নকৰোঁ, তেন্তে লাহে লাহে সেইবোৰৰ অস্তিত্ব লোপ পাব। বিদেশীয়ে সেইবোৰ

মনে মনে শিকি নিজৰ দেশৰ বস্তু বুলি দাবি কৰি জয়-ডঙ্কা বজাব। আমি জানিবলৈ পাইছোঁ কামৰূপ-কামাখ্যাত নিযুত ধৰণৰ ক্ৰুপদ ৰাগিণী পূৰ্ব্ব কালৰ পৰা প্ৰচলিত আছে। এই কথা হেনো কেনেবাকৈ গম পাই বঙ্গ দেশৰ সুপ্ৰসিদ্ধ সঙ্গীতবিদ শ্ৰীযুত গোপেশ্বৰ বন্দোপাধ্যায়ে এবাৰ কামাখ্যালৈ আহি এই ৰাগিণী আয়ত্ত কৰি তেখেতৰ সঙ্গীত বিষয়ক গ্ৰন্থত সন্নিবিষ্ট কৰিছে। বেহুলা, খনা আদিক বঙালী কৰাৰ নিচিনাকৈ, কালিদাসক বঙালী কৰাৰ উপক্ৰম কৰাৰ নিচিনাকৈ এইবোৰো লাহে লাহে বঙালীৰ একচেতীয়া সম্পত্তি বুলি দাবি নকৰিলেই বক্ষা।

(ঙ) সঙ্গীত নাট্যই মানুহৰ মন যেনেকৈ আকৰ্ষণ কৰিব পাৰে, সাহিত্যলৈ ধাউতি বঢ়াব পাৰে, সামাজিক ব্যাধি ওচাব পাৰে, মনৰ অন্তসাদ আঁতৰাব পাৰে, ভক্তি ভাৱৰ জাতীয় প্ৰেম আদি জগাব পাৰে আন একোতে নোৱাৰে। নাট্যকলাৰ চৰ্চ্চা সঙ্গীত চৰ্চ্চাৰ সমানেই লাগতিয়াল। দুয়োটো সমানে সমানে চলিব লাগিব। আমাৰ শিক্ষিত সম্প্ৰদায়ে নাট্যকলাৰ অনুশীলনত যোগ দিব লাগে,—অৱশ্যে যিবিলাকৰ এই বিষয়ত বাপ আছে তেওঁলোকে। বঙ্গ দেশত শিশিৰ ভাদুৰী এম-এ, নৰেশ মিত্ৰ বি-এল আদি উচ্চ শিক্ষিত লোকে নাট্যজগতত আৰু মনোৰঞ্জন ভট্টাচাৰ্য্য বি-এচ্‌চি আদিয়ে চিত্ৰজগতত প্ৰবেশ কৰি বিশেষ মনোযোগেৰে তাৰ চৰ্চ্চা কৰাৰ পৰা সেই কলাবিদ্যাৰ আদৰ বাঢ়িছে, আৰু বহুল উন্নতি হৈছে।

৺মুকুন্দ দাস যাত্ৰা পাৰ্টীৰ নিচিনা ওখ ধৰণৰ এটা যাত্ৰা পাৰ্টী বা নাট্য প্ৰতিষ্ঠান খুলি সামাজিক, ৰাজনৈতিক বা অৰ্থনৈতিক প্ৰচাৰ কাৰ্য্য চলোৱাৰ বিশেষ আৱশ্যক হৈছে। যুগাৱতাৰ মহাত্মা গান্ধীয়ে নতুনকৈ প্ৰৱৰ্ত্তন কৰা Village Industries Development Association গাৱঁলীয়া শিল্পা-বিস্তাৰ সমিতিৰ কাৰ্য্যতো আৰু এই দেশ-হিতকৰ আন্দোলনতো ই বিশেষ কাৰ্য্যকৰী হব। তদুপৰি জনা-বুজা লোকে ব্যৱসায়ী থিয়েটাৰ বা যাত্ৰা পাৰ্টি আদি খুলিব লাগিলে দেশৰ ধন দেশতে থাকিব আৰু লগে লগে সঙ্গীত আৰু নাট্যকলাৰ চৰ্চ্চা আৰু আদৰ বাঢ়িব আৰু সাহিত্যৰ ভবালো চহকী হব। এই প্ৰসঙ্গতে মই অসম কহিপ্ৰৱ অপেৰা পাৰ্টীৰ প্ৰাণ স্বৰূপ শ্ৰীযুত ব্ৰজনাথ শৰ্ম্মা দেৱৰ উদ্যম, অধ্যৱসায় আৰু সংসাহসৰ আন্তৰিক শলাগ লওঁ।

আমাৰ দেশৰ পৰা পূজাই-পাৰ্ব্বনে বিদেশৰ বাইজী, নাচনী, যাত্ৰাদল, সংকীৰ্ত্তন পাৰ্টি আদি আহি ভালেমান ধন চুটি নিয়ে। তাৰ পৰা আমাৰ কচিও আন ফালে ধাল খায়। এই দৰে জগতৰ সকলো ক্ষেত্ৰতে কুটিগত পৰাজয় Cultural Conquest হলে অদূৰ ভৱিষ্যতে অসমৰ অস্তিত্ব আৰু জাতীয় বৈশিষ্ট্য লোপ পাব। কিছুমান শিক্ষিত ডেকাই ব্যৱসায়ী পাৰ্টি আদি খুলি ইয়াৰ প্ৰতিকাৰ আৰু এই অমঙ্গলীয়া প্ৰবল সোঁত ওভোতাই নি জাতীয় সম্পদৰ ফালে কচি ঘুৰাব পাৰে। মাজতে যোৱাহাৰ জনদিয়েক উদ্যোগী হিন্দু আৰু মুছলমান নাট্যানুৰাগী লোকে আৰু শিৱসাগৰ মহকুমাৰ এদল ডেকাই তেনে ধৰণৰ ব্যৱসায়ী দল খোলা বা খুলিবলৈ যোজা কৰা গম পাইছিলোঁ। তেওঁলোকৰ উদ্যম অসমৰ ভালেমান অনুষ্ঠানৰ দৰে চুপতীয়াতে জঁই পবিল। শিৱসাগৰত বহা সাহিত্য সভা উপলক্ষে শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী প্ৰমুখো ভালেমান লোকে এটি উচ্চ ধৰণৰ থিয়েটাৰ পাৰ্টি খোলাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই প্ৰস্তাৱো ধুলা-পাততে লিপিবদ্ধ থকা দেখি বেজাৰ পালোঁ।

অসমৰ ৰাতিৰ-কাকত, আলোচনী আদিত বৰ্ত্তমান অসমীয়া সঙ্গীত, নাটবিলাকৰ আৰু অসমৰ সঙ্গীত আৰু নাট্যকলাৰ চৰ্চ্চাৰ বিষয়ে সমালোচনামূলক প্ৰবন্ধৰ আৰু তেনে ধৰণৰ গ্ৰন্থবো নিতান্ত আৱশ্যক হৈছে।

জনাই-নজনাই ভালেমান কথা গালো। আপোনালোকক ইমান পৰ আমনি কৰাৰ বাবে ক্ষমা কৰিব। সঙ্গীত সম্মিলনীখনি যাতে আজিৰ দৰে প্ৰতি বছৰে সামবণি সাহিত্য সভাৰ লগে লগে পতা হয় তাৰৈ সভাৰ কৰ্ত্তৃপক্ষসকলে লক্ষ্য ৰাখিব বুলি মই মিনতি জনালোঁ। আমি সঙ্গীত নাট্যকলাৰ অনুশীলন কৰিবলৈ কৃতসংকল্প হব লাগিব। এই খিনিতে কৈ থওঁ যে বৰ্ত্তমান সময়ত জাতীয় জাগৰণৰ নিমিত্তে বীৰ-বসাত্মক জাতীয় গীতৰ প্ৰধান আৱশ্যক। এলাহ-তন্ত্ৰাত অলস-অচেতন

হৈ পৰি থকা মুমূৰ্ষু অসমীয়া জাতিৰ প্ৰাণে প্ৰাণে নতুন সঞ্জীৱনী মন্ত্ৰ সঞ্চাৰ কৰিবলৈ আৰু জাতীয় ভাবেৰে উদ্বুদ্ধ কৰিবলৈ উদ্দীপনামূলক জাতীয় সঙ্গীতৰ আৱশ্যক হৈছে। বেজবৰুৱা ডাঙৰীয়াই অসমীয়া ভাব আৰু প্ৰতিভাৰ মৰ্য্যাদা ৰাখি নাট, গীত আদি ৰচনা কৰাৰ দৰে ৰচনা কৰা এটি গীত জাতীয় গীত স্বৰূপে ব্যৱহৃত হৈছে। আমাৰ বন্দে-মাতৰমৰ নিচিনা, "ঝান্দা উচ্চ ৰহে হামাৰা"ৰ নিচিনা মন-প্ৰাণ মতলীয়া কৰা জাতীয় গীতৰ আৱশ্যক হৈছে।

আমাৰ হাবিয়ে-বননিয়ে পৰ্ব্বতে-কন্দৰে সঙ্গীতৰ ধ্বনি বাজি উঠক। অতীত গৌৰৱমণ্ডিত কামৰূপত এদিন বেদধ্বনিয়ে আকাশ-বিমান নিনাদিত কৰিছিল। অসমৰ দেৱ-মন্দিৰবিলাকত উচ্চ অঙ্গৰ গীত-নৃত্যই অপূৰ্ব্ব ভাবৰ সৃষ্টি কৰিছিল। অসমৰ নাম-ঘৰবিলাকৰ ভোৰতাল, মৃদঙ্গ, নাগেৰা, কৰতালৰ তালে তালে গোৱা নাম-প্ৰসঙ্গত এদিন স্বৰ্গীয় দৃশ্যৰ অৱতাৰণা হৈছিল। অসমৰ হাবিয়ে-বননিয়ে গীত উৰি ফুৰে। অসমত এদিন,—

"সন্তোষীয়া সৰল চহাৰ বিনন্দীয়া প্ৰাণৰ পথাৰ ;
হেম্বাৰৱক লুপ্ত কৰে শিঙা পেপাৰ ৰোলে।
(তাৰে) মইনা-কুলি-কেতেকীয়ে তালে তালে তোলে॥"

আহক ! পুনৰ অসমলৈ সেই সঙ্গীতৰ সুৰ সৰগৰ পৰা নমাই আনোহঁক, সুৰৰ সাগৰত অসম দেশ বুৰাই পেলাওঁ, বানপানীৰ উপদ্ৰৱ, অৰ্থ-অনাটনৰ হেঁচাত জুকলা হোৱা অসমীয়া জাতিৰ প্ৰাণত সঙ্গীতৰ মাজেদি নতুন চেতনাৰ সঞ্চাৰ কৰোঁ, নতুন জীৱনৰ, নতুন পোহৰৰ সন্ধান দিওঁ, শৃঙ্খলিতা জননী জন্মভূমিৰ মুক্তিৰ স্বাধীনতাৰ মহাবাণী শুনাওঁ। সৰ্ব্বশেষত মঙ্গলময় পৰমেশ্বৰৰ চৰণত কাকুতি জনাওঁ— অসমৰ সঙ্গীতানুৰাগী দেশভক্তসকলৰ আশাশুধীয়া ঐকান্তিক যত্নত যেন আমি ৰিঙিয়াই কৰ পাৰোঁ—

অসম-গগণে ভুধৰে সলিলে বিয়পি পৰিছে নব্যপ্ৰাণ ;
উৰিছে উলাহে আনন্দ পতাকা, উঠিছে উন্নতি পুণ্যৱান্ ;
ফুলিব সুন্দৰ অসম-ফুলনি হব মহাসুখে নৃত্য-গান।

———

ছদ্মবেশী

[আগৰ সংখ্যাৰ পাছৰ পৰা]

উপন্যাস— —শ্ৰীযুত শান্তিৰাম দাস বি-টি

এঘণ্টামান পিছতে কৰ্ণেলিয়া মিছ বাৰবাৰাৰ ঘৰত উপস্থিত হলগৈ। তেওঁ জানে যে বাৰবাৰাই কাৰ্লাইলক অন্তৰেৰে বৰ ভাল পায় আৰু কাৰ্লাইলক স্বামী ৰূপে পাবলৈও আশা পুহি আছে। কৰ্ণেলিয়াৰ তো তাত সম্পূৰ্ণ মত আছে। এই নিদাৰুণ খবৰ বাৰবাৰাক কওঁ বুলিয়েই কৰ্ণিৰ হেয়াৰ পৰিয়ালৰ ঘৰলৈ আগমন। বাৰবাৰাই কৰ্ণিক দেখিয়েই আচৰিত হৈ সুধিলে, "অসময়ত কিয় আহিলা বাইদেও ? কাৰবাৰ কিবা অসুখ হৈছে নে কি ? নে কিবা অঘটন ঘটিল ?"

"মোৰ কোনো অসুখ হোৱা নাই সঁচা কিন্তু মনত বৰ সাংঘাতিক আঘাত পালোঁ বাৰবাৰা। কথা শুনি বিচূৰ্ত্তি খালোঁ। তুমি এতিয়াও শুনা নাই নে ?"

"কি কবা বাইদেও ? একো শুনা নাই।"

"বোধ হয় তোমাৰ লেডী ইছাবেলৰ কথা মনত আছে ?"

"এৰা আছে, তেওঁৰ কি হল ?"

"কি হল ! কাৰ্লাইলে তাইক বিয়া কৰালে।"

বাৰবাৰা বিবৰ্ণ হল। বজ্ৰ পৰা মানুহৰ নিচিনা

কিছু সময় নিশ্চল, নিমাত থাকি কৈ উঠিল, "নহয়, মিছা কথা।"

"নহয়, একেবাৰে খাঁটি সঁচা। সিহঁতৰ কালি বিয়া হৈ গৈছে কেষ্টেল মাৰ্লিঙত। এই কথাৰ আগেয়ে ভু পোৱা হলে নিশ্চয় তালৈ গৈ এই বিয়া ভাঙিলোঁহেঁতেন। ময়ো তোমাৰ নিচিনা প্ৰথমতে বিশ্বাস কৰা নাছিলোঁ। কিন্তু চিঠি-পত্ৰ পোৱা গৈছে, খবৰৰ কাগজতো কথা প্ৰকাশ হৈছে। এতিয়া একো উপায় নাই বাৰবাৰা।"

বাৰবাৰাই কথা শুনি থিৰেৰে থাকিব নোৱাৰি, "মাই কিবা খুজিছিল, চাকৰ এটাক কৈ আহোঁ" বুলি কৈ তাই অন্য কোঠালী এটাত সোমালগৈ।

শোৱনি ঘৰত সোমাই বাৰবাৰা মজিয়াতে অচেতন হৈ বাগৰি পৰিল। অতীতৰ ধুৱঁলী-কুঁৱলী আঁতৰিল,— তাইৰ মনৰ সন্দেহ গুচিল। তাই এতিয়া পৰিষ্কাৰকৈ বুজিলে যে তাই ইমান দিন মিছাকৈহে কাৰ্লাইলৰ প্ৰতি আশা-মৰিচীকা পুহিছিল, কিন্তু কাৰ্লাইলে হলে অলপো সেই ফালে ভ্ৰুক্ষেপ কৰা নাছিল। যোৱা ৰাতি তাই সুখৰ সপোনত উটি-ভাহি ফুৰি ওৰে নিশা উজাগৰে কটাইছিল আৰু সেই নিশাই তাইৰ মনে-পতা প্ৰেম-পূজাৰীৰ বিয়া ! নিৰাশাৰ হুমুনিয়াহ কাঢ়ি হাত দুখন ওপৰলৈ তুলি তাই চকু মুজি লৈ ভাবিলে যে তাইৰ সুখৰ সপোন ভাগিল। ঘৰৰ ভিতৰত হা-হুমুনিয়াহৰ কঁপনি শুনি এজনী লিগিৰী আহি দেখে যে বাৰবাৰা মজিয়াতে অচেতন হৈ দীঘল দি পৰি আছে। তাই ভাবিলে কিবা মনৰ বেজাৰতে পৰি আছে, শৰীৰ অসুখ হোৱা নাই। তাই মিছাতে আমনি নকৰি দুৱাৰখন লাহেকৈ জপাই ওলাই গল।

মানুহৰ ভৰিৰ শব্দ শুনি বাৰবাৰাই সাৰ পালে— জ্ঞান হল। তাই উঠি বহিল ; পানী এগিলাচ খাই থিয় হৈ কানি-কাপোৰ চম্ভালি ললে। কিন্তু পিচ মুহূৰ্ত্ততে আকৌ আৰম্ভ কৰিলে, "সিজনীৰ লগত বিয়া ! সিজনীৰ লগত বিয়া ! আৰু ইজনী ? মই হতভাগিনী ! পোৰা কপাল ! বিধাতা, মোক মাৰি নিয়াঁ !"

এইবাৰ বাৰবাৰাই নিজৰ ঢাৰি-পাটীৰ আশ্ৰয় ললেগৈ। ইপিনে খবৰৰ কাগজত মিঃ কাৰ্লাইলৰ লগত লেডী ইছাবেলৰ বিয়াৰ কথা পঢ়ি লৰ্ড ভেন আচৰিত হৈ খঙতে জ্বলি-পকি উঠিল। তেওঁ সেই দিনালৈ লণ্ডনলৈ আহিল। জানিলে যে কাৰ্লাইল আৰু ইছাবেল লণ্ডনতে কেদিনমান আছেহি। বিচাৰি বিচাৰি তেওঁ লেডী ইছাবেলক উলিয়ালেগৈ এটা হোটেলত। ইছাবেল বহি আছিল, কাৰ্লাইল কোনোবা ফালে ওলাই গৈছিল। লৰ্ড ভেনে ইছাবেলক দেখি একেবাৰেই তাইৰ ওচৰলৈ গৈ সুধিলে, "এইবোৰ কি কথা ইছাবেল ? তোমাৰ হেনো বিয়া হৈ গল ?" ইছাবেলে লৰ্ড ভেনক মূৰ দোঁৱাই অভিবাদন কৰি কলে, "হয়, কেদিনমান আগতে বিয়া হৈ গল।" লৰ্ড ভেনে ঘৃণাৰ সুৰেৰে কলে, "সেই উকীলৰ লৰা কাৰ্লাইল উকীলৰ লগত। ভাল নকৰিলা ইছা,—এইবোৰ নো কেনেকৈ হল ?"

ইছাবেলে ভাবি-চিন্তি সৰলভাৱে কৈ গল, "তেওঁ বিয়াৰ প্ৰস্তাৱ কৰিছিল, ময়ো সন্মতি দিছিলোঁ। তেওঁ ইষ্টাৰৰ সময়ত ইয়ালৈ আহিছিল আৰু বিয়াৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। কথা শুনি মই প্ৰথমতে অবাক হৈছিলোঁ।"

লৰ্ড ভেনে ইছাবেলৰ ফালে খুব মনোযোগেৰে চাই সুধিলে, "তেনেহলে ইমান দিন মোক এই কথা কিয় জনোৱা নাছিলা ?"

"আপুনি যে এই কথাৰ সম্ভেদ নাপায় মই কব নোৱাৰোঁ। আপুনি ইয়াত সন্মত থকা বুলিয়ে মোৰ বিশ্বাস। কাৰণ লেডী ভেন আৰু মিঃ কাৰ্লাইলে আপোনালৈ চিঠি লিখিছিল।"

লৰ্ড ভেনে পুৰণি কথাবোৰ ঘাটিবলৈ ধৰিলে আৰু নিজে নিজে কলে, "মই অনুমান কৰোঁ কাৰ্লাইলক যে তোমাৰ পিতাৰাই সদায় ইষ্টলিনিলৈ মাতি নিছিল সেয়ে ইয়াৰ মূল কাৰণ। তুমি তেতিয়াই কাৰ্লাইলৰ প্ৰেম-জালত পৰিছিলা।" ইছাবেলে টপৰকৈ কৈ উঠিল, "নহয়, বাস্তবিকে সেইটো নহয়। মই মিঃ কাৰ্লাইলৰ প্ৰেম-ফান্দত পৰিম এই কথা ভবাই নাছিলোঁ।"

"তেনেহলে তুমি কাৰ্লাইলক ভাল নোপোৱাঁ ?"

"ভাল পাওঁ কিন্তু আসক্ত নহওঁ। তেওঁক মোৰ বৰ

ভাল লাগে বাস্তবিকে তেওঁবে সৈতে কথা পাতি। থাকি-মেলি বৰ ভাল লাগে। বিশেষকৈ তেওঁ মোৰ প্রতি বৰ দয়ালু।"

লৰ্ড ভেনে ভাবি ভাবি ঠিক কৰিছিল যে ইছাবেলে কার্লাইলৰ প্রেমত পৰিছিল আৰু সেই বাবেই ইমান লৰা-ধপৰাকৈ বিয়াত সোমাইছিল। কিন্তু ইছাবেলৰ কথাই তাক নকলে। তেওঁ আকৌ সুধিলে, "বাক, যদি তুমি কার্লাইলক ভাল নোপোৱা, কেৱল ভালহে লাগে, তেন্তে তুমি আন কাৰবাক ভাল পোৱা?" কথা শুনি ইছাবেল বঙা পৰি উঠি কলে, "সময়ত মই মোৰ স্বামী দেৱতাক ভাল পাম।"

"দুৰ্ভগীয়া ছোৱালী!" কেইমিনিটমান নিমাত থাকি তেওঁ আকৌ সুধিলে, "মই মোৱাৰ পিছত কেষ্টেল মার্লিণ্ডলৈ কোন আহিছিল?"

"মিচেছ লেভীছন?"

"নহয়, কোন কোন ডেকা মানুহ তাত গোট খাইছিলহি?"

"ফ্রান্সিছ লেভীছন মাত্র আহিছিল আৰু কেও নাই।"

"ফ্রান্সিছ লেভীছন! আহা! কি কৰিলা ইছাবেল? কি কুক্ষণত তুমি তাৰ প্রেম-কটাক্ষত পৰিছিলা?"

ইছাবেল নিৰ্ব্বাক নিস্পন্দ হৈ তললৈ মুৱ কৰিলে। লৰ্ড ভেনে ডাঙৰ ডাঙৰ চকু দুটা তাইৰ ওপৰত ৰাখি গম্ভীৰ ভাৱে কৈ গল, "ইছাবেল, কেপ্তেন লেভীছন ভাল মানুহ নহয়, সি এটা দুশ্চৰিত্ৰৰ লম্পট ডেকা। যদি তুমি তাক তোমাৰ অন্তৰৰ বুকুত ঠাই দিছা, তেন্তে অতি শীঘ্রে তাক মনৰ পৰা খেদি পেলোৱা; তাৰ পৰা সদায় আঁতৰত থাকিবা; তাৰ লগত কথা-বার্ত্তা, চুবা-চকা এৰি দিবা। তাৰ লগত কোনো বকমৰ ঘনিষ্ঠ সম্বন্ধ নাৰাখিবা, সাৱধান!"

ইছাবেলে উত্তৰ দিব নৌ দিওঁতেই কার্লাইল ভিতৰলৈ সোমাই আহিল আৰু লৰ্ড ভেনক অভিবাদন জনাই হাতখন আগ বঢ়াই দিলে! লৰ্ড ভেনে দেখিও নেদেখিলে। ইছাবেলক কলে, "ইছাবেল, তোমাক আঁতৰাবলৈ বেয়া লাগে কিন্তু ইয়াত বাহিৰে বেলেগ ঘৰো নাই। মই কার্লাইলৰ লগত কথাচেবেক কওঁ,—তুমি অলপ বাহিৰলৈ যোৱাগৈ।"

ইছাবেল ওলাই গল। লৰ্ড ভেনে চকু বঙা কৰি যন্ত্রণাধ্বনি স্বৰে আৰম্ভ কৰিলে, "এই বিয়া কেনেকৈ ঘটিল ডাঙৰীয়া? ইমানেই লজ্জা নাই যে মোৰ অনুপস্থিতিৰ চেগ বুজি মোৰ ঘৰত অনধিকাৰ প্রবেশ কৰি লেডী ইছাবেলৰ মন ভুৱাই শেহত বিয়া কৰালা?"

কার্লাইল নিস্তব্ধ হল। খণ্ডতে তেওঁৰ কাণ-মুৱ বঙা পৰি উঠিল আৰু নিজক ভালকৈ চম্ভালি লৈ কৰলৈ ধৰিলে, "লৰ্ড, মই আপোনাৰ কথা একো বুজি পোৱা নাই।"

"বাক, বুজাই কওঁ শুনা। অভিভাবকৰ অনুপস্থিতিৰ সুযোগ লৈ এজনী গাভৰু ছোৱালীক প্রেমৰ ফান্দত পেলাই বিয়া কৰোৱা অশোভন কথা নহয় নে?

"মই লেডী ইছাবেলৰ প্রতি কোনো অশোভন কাম কৰা নাই, বৰং ইছাবেলৰ মান-গৌৰৱহে বক্ষা কৰিছোঁ। আপুনি কিবা শুনি ভুল বুজিছে।"

"মই একো শুনাই নাই। মই একো সন্ধেৰ নাপাওঁ। পৰৱৰ কাগজত পঢ়িহে এই কথা জানিলোঁ।"

"কেনেই? মেতিয়া মই বিয়াৰ প্রস্তাৱ উত্থাপন কৰো"।

"এমাহমান আগেয়ে—।"

"এবা, এমাহমান আগেয়ে তেতিয়াই মই আপোনাৰে সবিশেষ লিখি এখন চিঠি লিখিছিলোঁ। মই ঠিকনা নাজানো দেখি লেডী ভেনৰ হাতত চিঠিখন দিছিলোঁ। তেওঁ চিঠিখন পঠাম বুলি অঙ্গীকাৰ কৰিছিল। কিন্তু মই একো উত্তৰ নাপাই সোধাত তেওঁ কৈছিল যে আপুনি আমাৰ বিষাত সন্মত আছে।"

"এয়ে নে ঘটনা?"

কার্লাইলে নম্রভাৱে কৈ গল, "লৰ্ড, আপোনাৰ মনত মই দোষী হব পাৰোঁ কিন্তু মই হলে তেনেই নিৰ্দ্দোষী—সঁচা কৈছোঁ। আপুনি যে এই বিয়াৰ কথা ঘুণাক্ষৰেও নাজানে—এনে ধাৰণা মোৰ মনত এই মুহূৰ্ত্ত পর্য্যন্ত উদয় হোৱা নাছিল।"

"এয়ে? তেনেহলে ক্ষমা কৰিবা মিঃ কার্লাইল,—মুহূৰ্তে এই বিয়া কেনেকৈ সংঘটিত হল? এনে ততাতৈয়াকৈ বিয়াখন পতাৰ উদ্দেশ্য কি ভাঙি-পাতি কোৱা। ইছাবেলে কৈছে যে তুমি ইষ্টাৰৰ সময়ত বিয়াৰ প্রস্তাৱ কৰিছিলাহি, তাৰ তিনি সপ্তাহ পিচতে বিয়া—ইয়াৰ কাৰণ কি?"

"সময় হোৱা হলে যিদিনাই বিয়াৰ প্রস্তাৱ কৰিছিলো। সেই দিনাই বিয়া কৰাই ইছাবেলক লৈ গলোঁহেঁতেন কেষ্টেল মার্লিণ্ডৰ পৰা। মই সদায় তাইৰ সুখ-স্বচ্ছন্দৰ ফালে চকু ৰাখিছেই চলিছোঁ।"

"তাৰ উদ্দেশ্য? আশা কৰো বিবৰি কৰা।"

"লৰ্ড, কথা শুনি ভাল নালাগিব—জানোচা বেজাৰ পাব?"

"বাক কোৱা, এবাৰ বিচাৰ কৰি চাওঁ।"

"তনক তেনেহলে" বুলি কার্লাইলে ধৈর্য্য ধৰি আৰম্ভ কৰিলে, "কোনো বিশেষ কামত ইষ্টাৰৰ সময়ত (শুক্রবাৰ) মই কেষ্টেল মার্লিণ্ডলৈ গৈছিলোঁ। পিচ দিনাখন আপোনাৰ আৰু ইছাবেলৰ অনুবোধৰ কথা মনত পৰাত মই আপোনালোকৰ ঘৰলৈ গৈছিলোঁ। দেখিলোঁগৈ যে ইছাবেলে আপোনাৰ ঘৰত সুখেৰে থাকক ছাৰি কুবাহাৰ আৰু অত্যাচাৰ-উৎপীড়নত জর্জ্জৰিত হৈ পৰিছিল।"

"কি ডাঙৰীয়া, কুব্যবহাৰ আৰু উৎপীড়ন?"

"সেয়ে নহয় লৰ্ড, এনেকি মাৰ-পিটবো বাকী থকা নাই।"

লৰ্ড ভেনে নিৰ্ব্বাক-নিস্পন্দ শিলৰ মূর্ত্তিৰ দৰে থিয় দি কার্লাইলৰ ফালে চাই থাকিল। কার্লাইলে নিজৰ কৰ লৰীয়া কৈ গল, "মই এই কথা আপোনাৰ নয়নৰ পুতলা সক লৰাটিৰ পৰা জানিলোঁ। ইছাবেলে প্রথমতে একো কোৱা নাছিল। লৰাটোৰ আধা ভগা কথা ভালকৈ বুজিব নোৱাৰি বাবে বাবে সোধাত ইছাবেলে আঁহে মাতিব নোৱাৰিলে। তাইৰ অন্তৰ একেবাৰেই ভাগি গৈছিল, তাইৰ অৱস্থা দেখি সহ্য নহল। মোৰ মনত ঘৃণাৰ উদ্রেক হল। তাইক তেতিয়াই সেই অত্যাচাৰ-উৎপীড়নৰ হাতৰ পৰা বক্ষা কৰিবলৈ দৃঢ় সঙ্কল্প হলোঁ। কিন্তু পৰৱ গাভৰু ছোৱালী, বিশেষকৈ অভিভাবক অনুপস্থিত, লোকে কি নো বুলিব? ভাবি-চিন্তি থিৰ কৰিলোঁ বিবাহিতা স্ত্রীৰূপে ইছাবেলক বক্ষা নকৰিলে আৰ আন উপায় নাই।"

লৰ্ড ভেনে লাহে লাহে সকলো কথা বুজিলে—মনৰ ভাৱো নবম হল। "তেনেহলে মিঃ কার্লাইল, তুমি মোৰ ঘৰলৈ যাওঁতে বিয়া-বাকৰ কথা একো ভনা নাছিলা?" "নিশ্চয় নাই, মোৰ তেনে কোনো অভিপ্রায় নাছিল। ইছাবেলৰ দুৰবস্থা দেখিহে হঠাৎ তেনেকুৱা কথা উত্থাপন কৰা হল।"

লৰ্ড ভেনে হাত মোহাৰি মোহাৰি কোঠালীটোৰ ইফালে সিফালে অহা-যোৱা কৰি হঠাৎ সুধিলে, "তুমি তাইক ভাল পোৱা নে?"

কার্লাইলে অলপ ভাবিলে, মুখখন বঙা পৰিল। শেহত কলে, "লৰ্ড মাউণ্ট চেভার্ণ, মানুহে মানুহৰ আগত সেইবোৰ স্বীকাৰ কৰে নে? সুধিছে মেতিয়া কওঁ। মই ইছাবেলক সঁচাকৈয়ে অন্তৰেবে সৰল ভাৱে ভাল পাওঁ। মই তাইক ইষ্টলিনিত থাকোঁতেই ভাল পাইছিলোঁ আৰু সেই ভালপোৱা কথা জীৱনৰ শেষ পর্য্যন্ত কাৰো আগত বিদিত নকৰিলোঁহেঁতেন, কিন্তু কেষ্টেল মার্লিণ্ডত তাইৰ অৱস্থা দেখিহে ব্যৱস্থা কৰা গল। বাক যাওক সেইবোৰ কথা, এতিয়া লেডী ইছাবেলৰ প্রতি মোৰ কিবা অশোভন ব্যৱহাৰ কৰা হল নে?"

লৰ্ড ভেনে নিজ হাতখন অগ বঢ়াই দি কলে, "মিঃ কার্লাইল, তোমাক ভুল বুজি মই দোষ কৰিছোঁ, ক্ষমা কৰিবা। তুমি ইছাবেলৰ প্রতি অসীম দয়া আৰু গৌৰৱৰ কাম কৰিছা—লগে লগে মোৰ মান ৰাখিছা। তোমাৰ ব্যৱহাৰত মই বৰ সন্তোষ পাইছোঁ; আশা কৰো মোৰ সকলো দোষ ক্ষমা কৰিবা। তোমালোকক ভগৱানে সুখে-সন্তোষেৰে ৰাখক—এয়ে মোৰ শুভ ইচ্ছা। এতিয়া বিদায় মিঃ কার্লাইল।"

লৰ্ড ভেন যাবলৈ ওলাই ইছাবেলক ওচবলৈ মাতি আনি কলে, "ইছাবেল, মই আজি বাতিপুৱাই লৰা-

ধপৰাকৈ নাজানি-নুবুজি তোমাৰ গিৰীয়েৰাক গালি-শপনি পাৰিম বুলি ভাবি আহিছিলোঁ। কিন্তু এতিয়া মই তেওঁক মান সন্মান শ্ৰদ্ধা জনাই উভতিলোঁ। তেওঁ এজন দয়ালু পুৰুষ, মহানুভৱ। আশীৰ্ব্বাদ কৰোঁ তুমি পতিব্ৰতা, কৰ্ত্তব্যপৰায়ণা আৰু বিশ্বাসী হৈ তেওঁৰ অন্তৰ শোভা কৰি থাকিবা।" ইছাবেলে মূৰ দোঁৱাই কলে, "নিশ্চয় দেৱতা।"

দশম আধ্যা

গৃহ যাত্ৰা

কাৰ্লাইল আৰু ইছাবেলৰ সুখৰ পথত প্ৰতিবন্ধক হবৰ নিমিত্তেই ৱেষ্টলিনিৰ ঘৰ-দুৱাৰ ভেৰোণীয়াকৈ দি মিছ কৰ্ণিয়ে ইষ্টলিনিত কাৰ্লাইলে নতুনকৈ কিনি লোৱা হাবিলাষৰ ঘৰত বাহ ললেগৈ। কৃপণস্বভাবা কৰ্ণিয়ে আগৰ পুৰণি চাকৰ এটা, লিগিৰী এজনী আৰু কাৰ্লাইলে ইষ্টলিনিৰ নিমিত্তে ৰাখি থৈ যোৱা নতুন চাকৰ এটা ৰাখি বাকীবোৰক বিদায় দিলে।

বিয়াৰ এমাহমান পিছত এদিন শুক্ৰবাৰে গধূলি মিঃ কাৰ্লাইল আৰু তেওঁৰ পত্নী মিচেছ ইছাবেল কাৰ্লাইল ইষ্টলিনিৰ ঘৰ পালেহি। কৰ্ণিয়ে আগতে খবৰ পাইছিল আৰু তেওঁলোক নৱদম্পতীৰ আগমন দেখি চৰা ঘৰলৈ ওলাই গৈ দুয়োকে আদৰি সম্ভাষি আগ বঢ়াই আনিলে—মুখত হাঁহি অন্তৰত গৰল লৈ। ইছাবেলৰ লাহ-বিলাহ দেখি তাইৰ চকুৰে জুই ওলাল। কাৰ্লাইলে ইছাবেলৰ হাত ধৰি ঘৰত সোমালগৈ। তেওঁ বায়েকক দেখি কলে, "তুমিও ইয়ালৈ আহিছাঁ কৰ্ণেলিয়া? কেনে আছাঁ? ইছাবেল, এৱেঁই মোৰ বাইদেও মিছ কৰ্ণি।"

ইছাবেলে হাতখন আগ বঢ়াই দিলে, কৰ্ণিয়ে ইছাবেলৰ লনি হাতৰ কোমল আঙুলি কেটাত টিপা মাৰি দি বিদ্ৰূপৰ সুৰেৰে কলে, "মেদাম, আশা কৰোঁ ভালে ভালে আহিছে; বাটত কোনো অসুবিধা কষ্ট পোৱা নাই।" কাৰ্লাইল কিবা কামত ঘৰৰ পৰা ওলাই গল। কৰ্ণিয়ে ইছাবেলক চৰা ঘৰলৈ লৈ গল আৰু আগৰ নিচিনা বিদ্ৰূপৰ সুৰেৰে কলে, "মেদাম, ওপৰত শোৱনি ঘৰলৈ গৈ কাপোৰ-কানি সলাই আহকগৈ, খাবৰ সময় হয় এখোন।" ইছাবেলে কৰ্ণিক ধন্যবাদ জনাই কলে, "বাৰু, মই শোৱনি ঘৰলৈ যাওঁগৈ, কিন্তু মই একো নাখাওঁ, ভোক নাই, মই খাই-বৈ আহিছোঁ।"

"কেলেই? তেনেহলে কি খাবা?"

"যদি অনুগ্ৰহকৈ দিয়াঁ তেন্তে চাহ অলপ দিবা—বৰ পিয়াহ লাগিছে।" কৰ্ণেলিয়া উচপ খাই উঠিল, কলে, "চাহ! এই অসময়ত চাহ? এই ৰাতি ১১ বজাত চাহ খালে তোমাৰ অলপো টোপনি নাহিব মেদাম। বোধ কৰোঁ তপতোৱা পানীও নাই।"

"বাৰু, তেনেহলে নালাগে, আৱশ্যক নাই। মিছাতে তোমালোকক কষ্ট নিদিওঁ।"

কৰ্ণেলিয়া ওলাই গল। বাটতে মাৰ্ডেল নামৰ লিগিৰী-জনীক লগ পাই কিছু পৰ দুয়ো মুখ-চুপতি কৰিলে। ইপিনে মিচেছ ইছাবেল কাৰ্লাইলে ওৰফে ইছাবেলে চৰা ঘৰতে চকি এখনত বহি উচুপি উচুপি কান্দি থাকিল। তেওঁৰ মনত কিবা এটা আকস্মিক ভয় উপজিল—তেওঁৰ কেমাহমান আগতে এৰি থৈ যোৱা ইষ্টলিনিলৈ আহি নিজৰ ঘৰ যেন নালাগিল—মন কেনেবা কেনেবা যেন লাগিল। এনেতে কাৰ্লাইল ভিতৰলৈ আহি ইছাবেলক বিমৰিষ হৈ চকু-লো টুকি থকা দেখি সুধিলে, "কি হৈছে মইনা?"

"মোৰ বৰ ভাগৰ লাগিছে। ইয়ালৈ আহি পিতাৰ কথা মনত পৰিছে। মোক শোৱনি ঘৰ দেখাই দিয়াঁ, মই শোওঁগৈ।"

কাৰ্লাইলে ইছাবেলক বাহুৰ মাজত লৈ গৈ শোৱনি ঘৰত সোমাল। দেখে যে ঘৰবোৰ বৰ অপৰিষ্কাৰ, যেনি-তেনি কাকতৰ টোপোলা, গোবৰ-জাবৰ পৰি আছে। চাকৰহঁতৰ ওপৰত তেওঁৰ খং উঠিল। ইছাবেলে হুমুনিয়াহ ছাৰি "বৰ ভাগৰ লাগিছে আৰ্কিবল" বুলি কৈয়ে কাৰ্লাইলৰ গাতে ঢলি পৰিল। তেওঁ পাটীত বহি আল্‌ফুলকৈ ইছাবেলৰ মূৰটো কোলাত সুমাই লৈ গা-মূৰ পিহি সান্ত্বনা দি থাকিল আৰু মাজে মাজে ফুটি থকা গোলাপ যেন গাল দুখনিত দুটি এটি চুমাও খালে। তেওঁৰ অন্তৰেইহে আচল অন্তৰ। এই নৱ প্ৰস্ফুটিত গোলাপ পাহিক অন্তৰত থাপনা কৰিবৰ আশাকে ইমান দিন তেওঁ হাবিলাষ কৰিছিল, কিন্তু পথৰ কণ্টক হলহি শূৰ্পনখা মিছ কৰ্ণেলিয়া। তাইৰ হাতৰ পৰা ফুলপাহিক উদ্ধাৰ

কৰাৰ উপায়? ইছাবেলে কাৰ্লাইলক ভাল পাইছিল যদিও আসক্ত হোৱা নাছিল; কাৰ্লাইলে নিজে সেই কথা জানে। আৰু ইছাবেলে যে দিনে-ৰাতি সদায় ঈশ্বৰক খাটিছিল আৰু আশা কৰিছিল কেনেকৈ নো কাৰ্লাইল হেন স্বামীৰত্নক অন্তৰ ভৰি ভাল পায়, কাৰণ কাৰ্লাইল সেইখিনি পাবৰ যোগ্য, সেই কথাও কাৰ্লাইলে জানে। এনে সন্ধিক্ষণত ইছাবেলৰ অন্তৰত যেন কোনো আঘাত নালাগে বা শাৰীৰিক মানসিক কোনো কষ্ট নাপায় সেই ফালে কাৰ্লাইলৰ বিশেষ নজৰ।

মাৰ্ডেলক অহা দেখি ইছাবেলে লৰালৰিকৈ মুখ-মচাৰে চকুলো মচিলে জানোচা মাৰ্ডেলে চকুলো টুকি থকা দেখা পায়। কাৰ্লাইলে সুধিলে, "কি খাবা ইছা মইনা? অলপ চাহ খাবা নে?" ইছাবেলে কৰ্ণেলিয়াৰ কথা মনত পেলাই ধন্যবাদ দি কলে, "নহয়, একো নালাগে?"

"কিন্তু তুমি অলপ নহয় অলপ কিবা পানীয় খাদ্য খোৱা উচিত, কাৰণ তুমি কৈছিলা তোমাৰ হেনো পিয়াহ লাগিছিল।"

"বাৰু, পানী অলপ হলেই হব। পানীয়ে ভাল,—মাৰ্ডেলে দিবহি।"

কাৰ্লাইল বায়েকক বিচাৰি ওলাই গল। মাৰ্ডেলে তাইৰ মিষ্ট্ৰেছ ইছাবেলৰ ওচৰলৈ আহি তেওঁৰ কাপোৰ-কানি সলাই দিলে আৰু লগে লগে তাল-আফাল লগালে। কাৰণ তাইৰ মিষ্ট্ৰেছৰ ওচৰত থাকিবলৈ ওপৰ তালাৰ বাবে কোনো সুকীয়া লগুৱা-লিগিৰী, দুৱৰী-প্ৰহৰী নাই। তাই এনে বন্দৱস্ত কোনো ডাঙৰ মানুহৰ ঘৰতে দেখা নাই। তাতে আকৌ কৰ্ণেলিয়াৰ লগতো অলপ আগৈয়ে তাইৰ এজাউৰি বাক-বিতণ্ডা হৈ গল। ইছাবেলৰ সকলো বস্তু-বেহানি ভালকৈ গত লগাই এটাই তাই ৰাতিৰ নিমিত্তে বিদায় মাগি কলে, "আৰু কিবা লাগিব নে মেদাম?"

"নালাগে, তই যাগৈ।" মাৰ্ডেল গুচি গলগৈ। ইছাবেলে কিতাপ এখন হাতত লৈ বিষাদ মনেৰে বহি থাকিল।

কাৰ্লাইলে বাঘিনী বায়েকক বিচাৰি উলিয়ালেগৈ; সুধিলে, "কৰ্ণেলিয়া, এইবোৰ কি? মোৰ চাকৰবোৰ কলৈ গল, এটাও দেখোন নাই? তোমাৰহে দেখোন দুটামান আছে, ইয়াৰ কাৰণ কি?"

কৰ্ণেলিয়াই সেই তেজাল খঙাল মূৰ্ত্তিৰেই উত্তৰ দিলে, "গুচি গৈছে।"

"গুচি গৈছে? কি কাৰণে? সিহঁত বেছ উপযুক্ত চাকৰ আছিল?"

"উপযুক্তৰো বেছি আছিল। কেৱল বহি বহি খাব, কাম-কাজ একো নকৰিব,—ধোদবোৰ।"

"বাৰু, সিহঁতে কি বেয়া কাম কৰিছিল, সিহঁতৰ অপৰাধ?"

কৰ্ণেলিয়াই সুৰ বদলাই সুধিলে, "আৰ্কিবল, তোক কিহে পালে যে এনেকুৱা মূৰ্খালি কৰিবলৈ গৈছিলি? যদি বিয়াই কৰ, তেন্তে তোৰ সমান অৱস্থাৰ নিজ সমাজৰ ছোৱালীৰ আকাল পৰিছিল নে?" কাৰ্লাইলে বাধা দি কলে, "ৰবা, ৰবা, সেইবোৰ পাছে-পৰেও কবা, সেই বিষয় সবিশেষ তোমালৈ লিখিছিলোঁ। এতিয়া চাকৰৰ বিষয় কোৱাঁ। মোৰ চাকৰবোৰ কলৈ গল? কি কৰিলা?"

"মই সিহঁতক খেদি পেলাইছোঁ। ইমানবোৰ চাকৰ নো কেলেই? তিনিটা চাকৰ আছে, মই আছোঁ আৰু মেদামেও এজনী সুন্দৰী লিগিৰী আনিছে; এই হল পাঁচজন। আৰু কেলেই লাগিছে মিছামিছি খৰচ বঢ়াব? ময়ো ইয়াতেই থাকিম।"

কাৰ্লাইলৰ সকলো আশা-ভৰসা মাটি হল। এই বাঘিনী কৃপণস্বভাবা কৰ্ণেলিয়াৰ পৰা যিমানে আঁতৰিব খোজে, সিমানে তাই ওচৰহে চাপে। তিৰী-মুনিহ হলে সুখ-সন্তোষেৰে ইষ্টলিনিত থাকিব পাৰিম বুলি আশা কৰিছিল। কিন্তু বাঘিনীৰ হাতৰ পৰা উদ্ধাৰ পোৱা টান হল। যাকে আঁতৰাব খোজে সেয়ে পাছ নেৰা হল। তেওঁ আচৰিত হৈ সুধিলে, "কেলেই, তোমাৰ ৱেষ্টলিনিৰ ঘৰ-দুৱাৰ?" "ভেৰোণীয়াকৈ দিছোঁ। মই তাত অকলে নেথাকোঁ। আৰ্কিবল, মোক তুমি ইয়াৰ পৰা

উলিয়াই খেদি পথৰ ভিখাৰী কৰিব নোৱাৰোঁ। দুঠাইত দুখন ঘৰ চলোৱাত বহুত খৰচ হব। তোমাৰ স্ত্ৰী ইয়াৰ গৃহিণী হব, মোৰ কোনো হাত নাই; মই বন্দী-বেটীৰ দৰে কাম কৰিম; অৱশ্যে তোমাৰ যাতে অপব্যয় খৰচ নহয় তাৰ বাবে চকু ৰাখিম, চেষ্টা কৰিম; আৰু বিশেষকৈ তোমাৰ আলাসৰ লাৰু লাহ-বিলাহৰ ৰাণী ইছাবেল একেবাৰে কম বয়সীয়া ছোৱালী,—তেনেই কেঁচা, আজলী। তাই সংসাৰৰ আওভাও কি বুজিব? এতেকে মই ইয়াত থাকিম আৰু তাইক সকলো শিকাই বুজাই দিম।"

কৰ্ণেলিয়াৰ গৃহস্থি চলোৱা উপদেশপূৰ্ণ কথাবোৰ শুনি কাৰ্লাইলৰ মনত অলপ ভাল লাগিল হয়, কিন্তু ইছাবেলৰ লাহ-বিলাহত, সুখ-স্বচ্ছন্দত পদে পদে বাধা পৰিল,—চিৰকাল পৰিবও সন্দেহ নাই এই বাঘিনী জীয়াই থাকে মানে। চাকৰৰ কথা মনত কৰি কাৰ্লাইলে আকৌ কলে, "কিন্তু কৰ্ণেলিয়া, মোৰ চাকৰৰ আৱশ্যক; মোৰ ইচ্ছা মতে চাকৰ ৰাখিম। মই মোৰ লাহৰী ইছাবেলক কোনো অসুবিধা কষ্ট ভোগ কৰিবলৈ দিব নোৱাৰোঁ; তেওঁ যাতে আপোন মনেৰে সুখে থাকে তাৰ বাবে অহোপুৰুষাৰ্থ কৰিম।"

কৰ্ণেলিয়াই চকু পকাই কলে, "এই তিৰীয়ে তোক খালে আৰ্কিবল?"

"চাকৰ নহলে সেই গাড়ী, ঘোৰা আদি কোনে চাব?"

"কি ঘোৰা, গাড়ী? সৰ্ব্বনাশ! তই নষ্ট হলি মূৰ্খ। সেইবোৰ কি কৰিবি? বাৰু এই পিয়ানোডাল কেলেই?"

"ইছাবেলক উপহাৰ দিবলৈ আনিছোঁ।"

"উপহাৰ! তোৰ মূৰ মূৰ্খ। ইয়াৰ দাম কিমান?"

"ইয়াৰ দাম ডেৰ-শ পাউণ্ড।"

"ডেৰ-শ পাউণ্ড! হে প্ৰভু যীশু" বুলি হাত দুখন দলি মাৰি দিলে। এনেতে পিটাৰ নামৰ চাকৰটোৱে কাৰ্লাইললৈ এগিলাছ পানী আৰু মদৰ বটলটো লৈ হাজিৰ হলহি। তেওঁ বটলৰ পৰা মদ এগিলাছ ঢালি খালে, আকৌ এগিলাছ হাতত লৈ সুধিলে, "কৰ্ণেলিয়া, তোমাকো এগিলাছ দিম নে?" "নালাগে, লাগিলে মই নিজে ঢালি লৈ খাম।" "সেই গিলাছ আকৌ কাৰ বাবে?" "ইছাবেললৈ" বুলি কৈ তেওঁ ইছাবেলৰ শোৱনি ঘৰত সোমালগৈ। কৰ্ণেলিয়াই নিজে নিজে কৈ উঠিল, "নষ্ট হল এই মূৰ্খটো। তাক লাহ-বিলাহৰ ৰাণী ইছাবেলে খাব—সৰ্ব্বস্বান্ত কৰিব!"

ৰাতিপুৱা চাহৰ মেল বহিল। ইছাবেল আহি পাওঁতেই কৰ্ণেলিয়াই বিদ্ৰূপৰ সুৰেৰে "আহক, বহক মেদাম" বুলি সম্বোধন কৰি কথা কবলৈ ধৰিলে। ইছাবেলৰ বয়স ১৬.১৭ বছৰ, কৰ্ণেলিয়াৰ বয়স ৩০.৩১ বছৰ; তাতে আকৌ ইছাবেল তাইৰ ভায়েকৰ ঘৈণীয়েক, ননন্দ। ইছাবেল অহঙ্কাৰী, ধুন-পেঁচ মৰা ছোৱালী হলেও এগৰাকী বয়সীয়া মাননীয়া তিৰোতাৰ এনেকুৱা অপমান-সূচক ব্যৱহাৰ-প্ৰণালী ভাল নালাগিল। চাহ খাই থাকোঁতে থাকোঁতেই এজন মাংস-বেচোঁতা ফেৰিৱালা আহিল। কাৰ্লাইল আৰু ইছাবেলে কৰ্ণেলিয়াৰ স্বভাৱ জানি-শুনিয়েই মাংস কমকৈ ৰাখিবলৈ আদেশ দিলে চাকৰ এটাক। তথাপি কৰ্ণেলিয়া জাপ মাৰি উঠি বাহিৰলৈ নোযোৱাকৈ নাথাকিল।

এনেকৈ প্ৰত্যেক কামতে, প্ৰত্যেক বিষয়তে কৰ্ণেলিয়াৰ লগত কাৰ্লাইল দম্পতীৰ খুটি-নাটি লাগিবলৈ আৰম্ভ হল। ইছাবেলৰ ভাল নালাগিল; তেওঁৰ মন ক্ৰমে আন্ধাৰে ঢাকি আনিবলৈ ধৰিলে। কাৰ্লাইল ঘৰত নাথাকিলে তেওঁ যেন খন্তেকো ঘৰখনত নাথাকিব—যিখন ঘৰ তেওঁ এৰি যাবলৈ সত নকৰিছিল, চকু-লো টুকি টুকি ২।৪ মাহ আগতে হতাশৰ মাজত এৰি গৈছিল, যিখন ঘৰক তেওঁ নন্দন পাৰিজাতেৰে শোভিত ইন্দ্ৰৰ অমৰাৱতী তুল্য জ্ঞান কৰিছিল—তাতে আকৌ আহি কাৰ্লাইল হেন মহানুভৱ পুৰুষ এজনৰ লগত স্বামী ৰূপে থাকিবলৈ পাই—সেই সোণৰ পুৰী ঘৰখন তেওঁৰ মনত কিবা কিবা যেন লাগিল। তেওঁৰ হাবিলাষৰ ইষ্টলিনি উদং উদং যেন লাগিল।

চাহ খোৱাৰ পিছত কাৰ্লাইল আৰ্কিবল যাবলৈ ওলাল; ইছাবেলে হাততে থাপ মাৰি ধৰি কলে, "ময়ো যাওঁ আৰ্কি;

তুমি লগত নাথাকিলে মই অকলে ইয়াত থাকিব নোৱাৰোঁ।" তেওঁ উচুপি উচুপি কান্দিবলৈ ধৰিলে। কাৰ্লাইলে ইছাবেলক বুকুৰ মাজলৈ টানি আনি চুমা এটি খাই কলে, "আজি এমাহে থাকিবলৈ কোৱা নাই মইনা। মই পলম নকৰোঁ এঘণ্টামানতে ফিৰি আহিম। তুমি সেই ফুলনিত সোমাই ফুৰি ফুৰাঁগৈ, একো নাভাবিবা, মই এতিয়াই আহিমগৈ।" কাৰ্লাইল ওলাই গল।

ইছাবেলে কিছু সময় ফুলনিত ইফাল সিফাল কৰি মনত লগা বাছকবনীয়া ফুল কেইটামান গোটাই হাতত লৈ শোৱনি ঘৰ সোমালহি। অকলে অকলে কিমান সময় থাকিব? দেখিলে-যে মাৰ্ডেল নামৰ বান্দীজনীয়ে কান্দি কান্দি তাইৰ কানি-কাপোৰ সোপাকে টালি-টোপোলা বান্ধিছে। ইছাবেলক দেখিয়েই আৰম্ভ কৰিলে, "এনেকুৱা ঘৰ কতো দেখা নাই মেদাম! মই আৰু ইয়াত খন্তেকো নেথাকোঁ। মোক মোৰ পাওনাখিনি হিচাপ কৰি দিয়ক—মই এই যাওঁগৈ। এই বুঢ়ী ডাইনী (কৰ্ণেলিয়াক লক্ষ্য কৰি) জনীৰ লগত এখন্তেকো থাকিব নোৱাৰোঁ।"

ইছাবেল অবাক। কি কৰিব? কাৰ্লাইলো ঘৰত নাই। মাত এষাৰ মাতিলে বাঘিনী ওপৰতে পৰিবহি। তেওঁ মহা বিমোৰত পৰিল। ইপিনে মাৰ্ডেলে কানি-কাপোৰৰ টোপোলা হাতত লৈ সাজু হৈ ওলালেই। উপায়ন্তৰ নেদেখি ইছাবেলে নিজৰ ভাগ্যকে ধিক্কাৰ দি মাৰ্ডেলক তাইৰ পাওনাখিনি দিলে। তাই ইছাবেলক মূৰ দোঁৱাই অভিবাদন জনাই ওলাই গল। ইছাবেলে চকি এখনত বহি আকাশ-পাতাল ভাবি থাকিল—হাতৰ ফুল হাততে থাকিল।

অলপ পৰ পিছতে জেছি নামেৰে বান্দী এজনীয়ে ইছাবেলক অভিবাদন কৰি কলেহি, "মেদাম, কৰ্ণি আইদেৱে মোক ইয়ালৈ পঠালে—আপোনাৰ লগত থাকিবলৈ। ইয়াত কি কি কাম কৰিব লাগে বুজাই দিয়ক। মেদাম, ক্ষমা কৰিব,—মই হলে একো নাজানো,—আপুনি দেখাই বুজাই দিব। মই আপোনাক সন্তোষ দিবলৈ যথাসাধ্য চেষ্টা কৰিম।"

ইছাবেলে হুমুনিয়াহ কাঢ়ি কলে, "কৰ্ণেলিয়াৰ বৰ অনুগ্ৰহ, বাৰু সেইবোৰ কৰ" বুলি কিবাকিবি চকুৰ আগতে থকা কামবোৰ দেখাই দিলে। জেছি উলহমালহকৈ কামত লাগি গল।

অলপ পিছতে কাৰ্লাইল অফিচৰ পৰা আহিল। মাৰ্ডেলৰ যোৱা কথা শুনি স্তম্ভিত হৈ কলে, "বাৰু, সোন-কালে তাৰ দিহা কৰা যাব।"

গিৰীয়েক ঘৈণীয়েক দুয়ো কিবাকিবি কথা পাতি আছিল। কৰ্ণেলিয়াই চোচা মাৰি আহি দুয়োকে বহি থকা দেখি চকু পকাই কৈ উঠিল, "খাবৰ হৈছে কাৰ্লাইল। মেদাম, খোৱা বস্তু চেচা হৈ গল; তুমি সদায় আৰ্কিৰ লগত গল্প কৰি থাকিলেই হয় নে? উঠি আহাঁ।"

কৰ্ণেলিয়াৰ কথা শুনি ইছাবেলৰ ভোক-পিয়াহ আঁতৰিল। তেওঁ যাওঁ-নাযাওঁকৈ গিৰীয়েকৰ সৈতে গৈ ভালে বেয়াই অলপ-অচৰপ খালেগৈ।

পিছ দিনা দেওবাৰ। ৰাতিপুৱা জা-জলপান খাই-বৈ উঠি নৱ দম্পতী গিৰ্জ্জা-ঘৰলৈ যাব, লগে লগে ইষ্টলিনিৰ চাৰিও ফালে এপাক মাৰিবৰো মন। গাৰোৱানক গাড়ী সাজুকৈ আনিবলৈ হুকম দিলে। খন্তেক পিছতে গাড়ী সাজু হৈ ফটকত হাজিৰ হলহি। কৰ্ণেলিয়াই ভিতৰত কৰবাত কাম কৰি আছিল। গাড়ীৰ শব্দ শুনি কাৰ্লাইলৰ ওচৰলৈ লৰি আহি খঙতে জলি-পকি উঠি কলে, "এইবোৰ কি আৰ্কি? আজি দেওবাৰ, তোমালোক গাড়ীত উঠি ফুৰিবলৈ যাব নোৱাৰোঁ। পৱিত্ৰ গিৰ্জ্জাৰ অপমান হব—ছিঃ ছিঃ।"

দুয়ো থতমত খাই মুখ সেমেনাসেমেনিকৈ হাত সাবটি খিৰীকিৰ মুখত থিয় দিলেগৈ। অলপ আঁতৰত কৰ্ণেলিয়াই চকি এখনত বহি হাতত বাইবেলখন মেলি ললে। ইছাবেলে লাহেকৈ কলে, "আৰ্কি, যদি তুমি লাহে লাহে যোৱাঁ তেন্তে ময়ো খোজ কাঢ়ি যাব পাৰিম, বলাঁ।" কথা শুনি কাৰ্লাইলে হাঁহিলে আৰু মূৰ জোকাৰি কলে, "সাজু হৈ থাকাঁগৈ, ঠিক ১০॥ বজাত যামগৈ।" ইছাবেল অন্য ঘৰত সোমালগৈ। ইছাবেল আঁতৰি যোৱা দেখি কৰ্ণেলিয়াই কাৰ্লাইলক সুধিলে, "কি তায়ো ফুৰিবলৈ যাব নে কি?"

"এবা যাব তো। কিন্তু তেওঁ ইমান তাপ সহ্য কবিব নোৱাবে, ইমান দূব বাট খোজ কাঢ়িবও নোৱাবে। মযো ইমান বদত তেওঁক ইমান দূবলৈ খোজ কাঢ়ি যাব নিদিওঁ। আমি সোনকালে গাড়ী লৈ যামগৈ।"

কর্ণেলিয়াই মুখ ভেঙুচাই কলে, "খ থ, ননীব পুতুলা, তাইব গাত বদ লাগিলেই ননীব দেহটো গলি পমি যাব।"

কার্লাইলে গদ্‌গদ্‌কৈ কৈ উঠিল, "তেওঁ এজুপি লতা গছ। মই তাক বুকুব মাজত বোপন কবিছোঁ আৰু আদবে পালিম বুলি ভগৱানব ওচবত শপত খাইছোঁ। ভগৱানব আশীৰ্ব্বাদত মই তাকেই কবিম।"

কার্লাইলব গদ্‌গদ্‌ বাক্য শুনি কর্ণেলিয়াই মুবত হাত দি বহি থাকিল, তাও জুবিলে মুব বিষাইছে।

গির্জ্জালৈ যাবব সময় হল, কর্ণেলিয়াই মুখব ওপবত পুবণি-কলীয়া ডাঙব ছাতি এটা ধবি সেই প্রথব বদব মাজেদি হোঁ হোঁ কবে গির্জ্জালৈ খোজ ললে। অলপ বেলিব মুবতে কার্লাইল আৰু ইছাবেল গাড়ীবে গির্জ্জালৈ বাওণা হল। বাটতে মিছ কর্ণিয়ে তেওঁলোকক দুবৈতে গাড়ীব ভিতবত দেখিলে, কিন্তু কাবেদি গাড়ী যাওতে কেবাহিকৈয়ে নাচালে।

গির্জ্জা-ঘব মানুহেবে ভবিল। কর্ণেলিয়াই তেওঁব নিজব ঠাইত বহিলগৈ। কার্লাইল আৰু ইছাবেল দুয়ো ৺লর্ড উইলিয়ামব আসন পুবালেগৈ। প্রার্থনা আবম্ভ হল। অলপ আঁতবলৈ দেখে যে জষ্টিছ আৰু মিচেছ হেয়াব বাববাবাব সৈতে বহি আছে। বাববাবাব মুখ শোঁতা, চকু দুলধুলীয়া, তেওঁব আকলুৱা চকু সৌন্দর্য্য-কুঁৱবী ইছাবেলব ওপবত। যাব বাহব মাজত ঠাই পাম বুলি এদিন বাববাবা পগলা হৈছিল, সেই হেন পুৰুষ কার্লাইলব বাহব মাজত ইছাবেল হাঁহি মুখে বহি থকা দেখি বাববাবাব চকুবে ভুই ওলাবলৈ ধবিলে।

প্রার্থনা শেষ হল। গির্জ্জাব কামব অন্ত পবিল। সকলো ধবাধবি গল। কার্লাইল আৰু ইছাবেল দুয়ো মাউন্ট চেভাৰ্ণব কববব ওচবলৈ গৈ চুটোপাল চকুলো টুকিলে। এনেতে পিটাবে গাড়ী লৈ আহিল। তেওঁলোক গাড়ীত উঠিলগৈ। বাটব কাষতে কেগবাকীমান মহিলাই কথা পাতি আছিল। মিছ বাববাবাও তাবে এজনী। কার্লাইলে ইছাবেলক হাতত ধবি গাড়ীত তুলি দিলে—বাববাবাব চকু দিব হল। যাওঁতে কার্লাইলে বাববাবাক দেখি গাড়ীব ভিতবব পবাই নমস্কাব জনালে। বাববাবা সেই পিনে শোঁতা পমি গল। ইছাবেলে কার্লাইলক সুধিলে, "সেইজনী কোন ছোৱালী আৰি? অ, বব মবম লগা ছোৱালী বাস্তবিক; তাইব নাম কি?"

"মিছ বাববাবা হেয়াব।"

একাদশ আধ্যা

মিছ্ বাববাবাব অন্তব ভাগিল

লর্ড পবিয়ালব কোনো লবা বা ছোৱালীব বিষা-বাক হৈ গলে, দবা-কন্যা যেতিয়া ঘব চাপেহি তেতিয়া দেশব গণ্য-মান্য ভদ্রলোকব পাবিয়ালবোব দবা-কইনাক চাবলৈ শুভ ইচ্ছা জনাবলৈ আহে। ই চিবন্তন দস্তুব। কার্লাইলেও লর্ড পবিয়ালব ছোৱালী লেডী ইছাবেলক বিয়া কবোৱা বাবে এইখিনি সন্মান পালে—নাইবা নাপালেহেঁতেন। তেওঁব ঘব ইষ্টলিনিলৈ জাকে জমকে জুম বান্ধি ভদ্রলোকব পবিয়ালবোব নম্রদম্পতীক দেখা কবিবলৈ আহিল, শুভ ইচ্ছা জনালে আৰু আদব-সম্ভাষণত তৃপ্তি হৈ উভতিল।

সিদিনাও ইছাবেলে অভ্যাগতসকলক আদব-সম্ভাষ জনাবলৈ নিজব বুলনি ঘবত জেছিৰ সহায়ত সাজি-কাচি ব্যস্ত আছিল। ইছাবেলে জেছিৰ কাম-কাজত সন্তুষ্ট হৈ সুধিলে, "জেছি, মোৰ লগত থাকিবি নে?"

প্রস্তাব শুনি জেছিয়ে হাঁহি মুখে উত্তব দিলে, "আপোনাব অনুগ্রহ মেদাম। মইতো ভালেই পাওঁ। আপোনাক সন্তোষ দিবব নিমিত্তে প্রাণপণে চেষ্টাও কবিম।" ইছাবেলেও হাঁহি এটি মাবি সুধিলে, "মিছ কর্ণিয়ে থাকিবলৈ দিবে নে মোৰ ইয়াত?"

"নিশ্চয় দিব মেদাম। এদিন তেওঁ এই কথা উত্থাপিয়াইছিলও।"

"বাক, তই মোৰ লগত থাকিবি, কিন্তু বেছ পবিষ্কাব পবিচ্ছন্নকৈ থাকিব লাগিব, বুজিছ তো?"

"ভাল মেদাম, সেই বিষয়ে মই চকু বাখিম।"

এনেতে চুহান নামব লিগিবীজনীয়ে চৱাব মেলি সুধিলে, "ইয়াত মেদাম আছে নে জেছি?"

"এবা আছে, কেলেই?"

"তেখেতক দেখা কবিবলৈ এটা ভদ্রপবিয়াল আহিছে।" জেছিয়ে ফচ্‌ফুচাই চুহানক সুধিলে, "কোন পবিয়াল অ?" চুহানেও জেছিৰ সুবতে সুব মিলাই উত্তব দিলে, "হেয়াব পবিয়াল, মিছ বাববাবা হেয়াব। জেছি, এটা কথা—তেওঁ মেদামক দেখা কবিবলৈ অহা ছল মাথোন, আচল কথা অন্য। কিন্তু জেছি দেখিবি যাতে এই বাববাবাজনীয়ে আমাব মেদামব অন্তবত গবল ঢালি নিদিয়ে।" চুহান ওলাই গল। জেছিয়ে ইছাবেলক হেয়াব পবিয়ালব আগমনব জান দিলেগৈ। মিচেছ ইছাবেল কার্লাইল ওলাই আহি হেয়াব পবিয়ালক আদব-সম্ভাষণ জনালে। হেয়াব দম্পতীয়ে ইছাবেলক শুভাশীৰ্ব্বাদ কবিলে। তাব পিছত ভালেখিনি নানা তবহব কথা-বতবা হল। এনেতে মিছ্ কর্ণেলিয়া সোমাই আহি তেওঁলোকক খাবব সময়লৈ থাকিবলৈ অনুবোধ জনালে, কিন্তু ঘবত কাম থকা বাবে জষ্টিছ হেয়াবে "তেনেহলে বাববাবাই থাকক" বুলি কৈ দৈণীয়েকে সৈতে বিদায় লৈ ঘবলৈ উভতিল।

বাববাবাব মুখব ববণ পবিবর্ত্তন হল। মিছ কর্ণিয নিমন্ত্রণ বক্ষা কবোঁ নকবোঁকৈ ভাবি থাকোঁতেই কর্ণিয়ে তাইক হাতত ধবি ভিতবলৈ টানি নিলেহি। খাবব সময ওচব চাপি অহা দেখি ইছাবেলেও সাজ-পাব সলাবলৈ বুলনি ঘবত সোমালগৈ। জেছি তাতে বহি আছিল। ইছাবেলে চকি এখনত বহিলত জেছিয়ে আৰম্ভ কবিলে, "মেদাম, মই মিছ কর্ণিক সুধিছিলোঁ, মোক থাকিবলৈ কৈছে আপোনাব লগত। কিন্তু আপুনি পিছত নানা কথা শুনিলে হযতো বেজাব পাব পাবে, সেই দেখি তেওঁ মোক মোব সকলোবে আত্ম-কাহিনীটো বিববি কববলৈ কৈছে; শুনি ভাল পালে বাখিব পাবে, নাই মোক খেদি দিব।"

"কি আত্ম-কাহিনী জেছি?"

"মেদাম, মই সংক্ষেপে কওঁ শুনক। মোব পিতা আপোনাব শহুবেক ৺ মিঃ কার্লাইলব মহবী আছিল। মোব ৮ বছব বযসত মাই মৃত্যুব মুখত পবিল। পিতাই আকৌ বিয়া কবালে। এবছবমান পিছতে মাহী মাইব এজনী ছোৱালী জন্ম হল,—নাম থলে একি। এবছবমান পিছতে মাহী মাযো ধুকাল; তেতিয়া একিক মামীয়েক এজনীয়ে তুলি-তালি ডাঙব-দীঘল কবিলে। মই পিতাব লগতে আমাব নিজব ঘব পঁজা এডুখবিত থাকোঁ। মই ডাঙব হৈ ভদ্রলোকব ঘবে ঘবে কাম-কাজ কবি, আল-পৈচান ধবি মণ্ডেষ্ট উপার্জ্জন কবোঁ; তাবেই পিতা আৰু মই সুখেবে থাই-বৈ আছিলোঁ। একিও ডাঙব-দীঘল হৈ ঘবলৈ আহিল। তাই দেখিবলৈ বব ধুনীয়া আছিল। সেই গুণেই বোধ হয় তাইব স্বভাব-চবিত্রই আমাক ভয় খুৱাই দিলে। তাই বব গাহ-বিগাহী আৰু পাতল স্বভাবব বাংচালি ছোৱালী আছিল। তাই দিনে-বাতি উপন্যাস-উপাখ্যান পঢ়াত লাগিল—পিতাই একেবাবেই অপছন্দ কবিছিল যদিও। কাবণ আমি দুখীয়া মানুহ ইখন সিখন কাম-কাজ কবি থাব লাগে। কিন্তু তাইব মনব ভাব এলোটা ধবণব। বোধ হয় পঢ়ি-শুনি ধুন-পেচ মাবি ভদ্রলোকব ছোৱালী-জনী হয় চাগৈ। তাব পিছত দ্বিতীয়তে তাই ডেকা বিচার্ড হেয়াবব লগত চিনা-পবিচয় হল।" ইছাবেলে আচবিত হৈ তাইব ফালে চালে। ওচবব ঘবত বাববাবা আছে জানি জেছিয়ে লাহে লাহে কলে, "জষ্টিছ হেয়াবব একমাত্র পুত্র আৰু মিছ বাববাবাব একমাত্র কন্যাযেক। আহা! তাই বব দুষ্ট আছিল। তাই দিনে-বাতি বিচার্ড হেয়াবক নেবা হল—বিচার্ডো তাইব প্রেমত বলিয়া হল। তাই সিমানতো সন্তুষ্ট নহৈ আন আন ডেকাকো আদবিবলৈ ধবিলে। মই থাকো বাতিপুৱাব পবা বাতি ৯।১০ বজালৈ পবব ঘবত, পিতাও দিনব দিনটো অফিচলৈ আৰু গধুলি চিকাব আদি কবিবলৈ ওলাই যায়। এই সুযোগতে তাই ডেকাদলক আদব-সম্ভাষণ কবে।"

ইছাবেলে নাক কোঁচাই হাঁহি মাবি সুধিলে, "তাই বহুতক আদবে?" "বহুতক মেদাম। কিন্তু তাব ভিতবত

প্রধান হৈছে বিচার্ড হেয়ার। অরশ্যে আৰু এজন বহু দুবৰ পৰা গধূলি ঘোৱাত উঠি আহিছিল; সেইজনৰ লগত বোধ হয় সিমান ভাল ভাব নাছিল। কিন্তু বিচার্ড হেয়াৰৰ লগত তাই বলিয়া। এনেকৈ কিছু দিন মোৱাৰ পিছত শেহত এদিন সি পিতাক হত্যা কৰিলে।"

"কোনে?" বুলি ইছাবেলে উপৰ পাই উঠিল।

"বিচার্ড হেয়াৰে মেদাম। বিচার্ড হেয়াৰক তালৈ অহা বন্ধ কৰি দিবলৈ পিতাই একিক কেবা দিনো কৈছিল, কিন্তু তাই নামানিলে। পিতাই ক্ৰমে নানা অপযশ শুনিবলৈ ধৰিলে। এদিন ৰাতি মোৰ আগতে একিক গালি-শপনি পাৰি বিচার্ডক আহ-যাহ বন্ধ কৰিবলৈ কলে। পিছ দিনা ৰাতি বিচার্ড হেয়াৰে পিতাক গুলি কৰি হত্যা কৰিলে।"

"আহা! কি সাংঘাতিক কাণ্ড!"

"এইটো ইচ্ছাপূৰ্ব্বক কৰিছিল, নে অসাৱধানতাৱ ওপতে বন্দুক ছুটিছিল মই কব নোৱাৰোঁ। কিন্তু মানুহে কয় যে সেইটো ইচ্ছাপূৰ্ব্বক কৰা হত্যাকাণ্ড। সেই ঘটনাৰ দৃশ্য জীৱনত নাপাহৰোঁ মেদাম্—এতিয়াও মনত পৰিলে গা শিৰিৰি উঠে। মই আহি দেখোঁ যে পিতা মজিয়াত পৰি মৰি আছে, গোটেই মজিয়াখন তেজেৰে চোঁ থাই গৈছে! ঘৰটো মানুহৰে ভৰি পৰিছে। একিয়ে কোনো সন্ধান দিব নোৱাৰিলে। তাই ঘৰৰ পিছ ফালে ওলাই গৈছিল,—পিছ মুহূৰ্ত্ততে দেখেছি পিতা মৃত আৰু মিঃ লক্ষহিনয়ে তেওঁৰ মৰাশটো জুমি জুমি চোৱা। সি একিক কলে যে সি বন্দুকৰ শব্দ শুনি ভিতৰলৈ লৰি আহিছিল আৰু লৰি আহোঁতে বিচার্ডক বন্দুকটো দলি মাৰি পেলাই থৈ লৰ মাৰি যোৱা দেখিছিল।"

"আহা! জেছি, মই আৰু শুনিবৰ ইচ্ছা নকৰোঁ। পিছে বিচার্ডৰ কি হল?"

"বিচার্ড সেই দিনাই কৰবালৈ পলাল; এতিয়া সি নিৰুদ্দেশ। তাৰ বিষয় কোনোৱে একো নাজানে। হেয়াৰ পৰিয়ালৰ এই অপযশ অসহনীয় মেদাম।"

"এই ঘটনা ঘটিবৰ কিমান দিন হল?"

"আজি চাৰি বছৰ পুৰ হল। মেদাম, এয়ে মোৰ আত্ম-কাহিনী। এতিয়া আপুনি যি ভাল বিবেচনা কৰে কৰক। বহুতে হয়তো কব পাৰে—যাৰ ভনীয়েক এনেকুৱা দুশ্চৰিত্ৰৰ তেনেকুৱা জনীক কেনেই আশ্ৰয় দিছে?"

ইছাবেলে ভাবি-চিন্তি দেখিলে তাৰ পৰা তেওঁৰ কোনো অনিষ্ট নহয়, তাই আল-পৈচান ধৰা লিগিৰীছে। তেনে ভাবেই জেছিকো কলে। অলপ পৰ ভাবি জেছিক সুধিলে, "জেছি, তেতিয়া চুহানে কি কলে মিছ হেয়াৰে মোক গৰল ঢালি দিয়াৰ কথা।"

জেছিয়ে থতমত খালে যদিও 'হাঁহি মাৰি কলে, "সামান্য মিছামিছি কথা মেদাম। মানুহে কয় যে মিছ ৰাবৰাবা মিঃ কার্লাইলৰ প্ৰেমত পৰিছে আৰু বহুতে ভাবে যে দুয়ো বেছি মিলিবও, জোৰ হব। কিন্তু মই হলে ভাবোঁ ৰাবৰাবাই হাজাৰ চেষ্টা কৰিলেও মিঃ কার্লাইলক সুখ-সন্তোষ দিব নোৱাৰে।"

ইছাবেলৰ মুখ বঙা পৰিল,—কিবা এটা হিংসা ভাব অন্তৰত বিজুলী খেলোৱা দি বৈ গল। কোনো তিৰোতাই গিৰীয়েকৰ লগত আন এজনীৰ সংশ্ৰৱ ভাল নাপায়। ই স্বাভাৱিক। এনে স্থলত তেওঁলোকৰ মনত অলপ নহয় অলপ সন্দেহ উপস্থিত হয়। ইছাবেলেৰো সেয়ে হল।

ইছাবেলে ৰাজকুমাৰী তুল্য জাকজমককৈ সাজি-কাচি ওলাই আহিল,—ৰাস্তাৰৈকে সৌন্দৰ্য্য-কুঁৱৰী। মিছ ৰাবৰাবা দেখনিয়াৰ হলেও সাধাৰণ সাজ-পাৰ পিন্ধা, লাহ-বিলাহৰ আওভাও নুবজা আজলী ছোৱালী। দুয়ো চিনা-পৰিচয় হল। মিঃ কার্লাইল ঘৰত নাই দেখি দুয়ো থিৰীকি মুখত থিয় দি বাহিৰলৈ চাই থাকিল। এনেতে কার্লাইলক উত্ততি অহা দুবতে দেখা পালে। ৰাবৰাবাৰ মুখ ৰঙচুৰাব পৰা ৰঙা পৰি উঠিল। ইছাবেলে ভাংকৈ লক্ষ্য কৰিলে। কার্লাইলে ওচৰ পাই সুধিলে, "কেনে আছা ৰাবৰাবা? দৰা-কইনা চাৰলৈ আহিছিলা নে কি?" বুলি হাঁহিলে আৰু ইছাবেলক লক্ষ্য কৰি কলে, "কি কৰিছা মইনা?" কিন্তু আজি কার্লাইলে ইছাবেলক চুমা নিদিলে ৰাবৰাবা থকা বাবে। ইছাবেলে তাকো নজৰ কৰিলে, অন্তৰত কিবা বাজি উঠিল।

গোৱা শেষ হল। ৰাবৰাবা আৰু কর্ণেলিয়া দুয়ো মুচুচুচিয়া মেলত বহিল। ৰাবৰাবাই ইছাবেলক লক্ষ্য কৰি সুধিলে,"কেনে লাগিছে ৰাইদেও?" কর্ণেলিয়াই উত্তৰ দিলে, "মই যেনে ভাবিছিলোঁ তেনে নহয়। সিমান লাহ-বিলাহী, মইমতীয়া, অহঙ্কাৰী, দাম্ভিক বুলি বোধ নহয়। কিন্তু দুয়ো বেছ মিলিছে। কার্লাইল লগত নহলে তাই গন্তেকো ৰব নোৱাৰে।" ইত্যাদি ইত্যাদি। কর্ণেলিয়াই কার্লাইল আৰু ইছাবেলৰ কত ভিতৰুৱা কথা কলে, কত দোষ-গুণ উলিয়ালে। ৰাবৰাবাই শুনি শুনি হা-হুতাহৰ দুমুনিয়াহ পেলালে।

ওচৰৰ কোঠালী এটাত ইছাবেলে পিয়ানো বজাই সঙ্গীত গাইছিল। কার্লাইলে পিছ ফালে গাতে হেলান দি উদুৰ হৈ শুনি আছিল। কার্লাইল ইছাবেলৰ সঙ্গীতৰ সুৰত মুগ্ধ, বাহ্যিক সংসাৰৰ পিনে তেনেই পাহৰিছে। ইছাবেলে এটি-দুটিকৈ ৪।৬টা সঙ্গীত গালে। বাস্তবিকে ৰব সুন্দৰ মনোমুগ্ধকৰ সঙ্গীত। শেহত হাঁহি এটি মাৰি কার্লাইলক কলে "পিছে, মইতো অনেক সঙ্গীত গালোঁ, এতিয়া তাৰ পুৰস্কাৰ? কার্লাইলে ইছাবেলক বুকৰ মাজলৈ টানি আনি চুমাৰ উপৰি চুমা খালে। ইছাবেলৰ বুক জুৰ পৰিল।

ৰাবৰাবাই খিৰীকিৰে সঙ্গীত শুনি আছিল। কার্লাইল দম্ভাতীৰ মাজত শেষ দৃশ্য দেখি হা-হুতাশৰ দুমুনিয়াহ কাঢ়িলে। এনেতে কর্ণেলিয়াও ওচৰ চাপি লগ লাগিলহি। দুয়ো আকৌ কোনোবা কালে ভিতৰ সোমাল-গৈ। অলপ পিছতে দুয়ো কার্লাইলৰ ঘৰত সোমাওগৈ। কর্ণেলিয়াই কিবা এটা কথা লৈ কার্লাইলৰ লগত বাদ-প্ৰতিবাদ কৰিলে। ৰাবৰাবাৰ আমনি লাগিল। ঘৰীৰ ফালে চাই থিয় হৈ কলে, "বাইদেও, ১০ বাজিল বহু ৰাতি হল। এতিয়া যাওঁগে, পিতা আৰু মাই গালি-শপনি পাৱিব। অনুগ্ৰহকৈ পিটাৰক লগত দিওঁ, সি মোক আগ বঢ়াই আছিব।" ৰাবৰাবাৰ কথা শুনি কার্লাইলে হাঁহি মাৰি কেবাহিকৈ চাই কলে, "সেই নিশাৰ কথা মনত আছে নে সেই কুজৰনত?" ৰাবৰাবাৰ মনত পৰিল পিতাকৰ সেই বঙা চকুৰ চাৰনি। তেওঁ জাপ মাৰি উঠি কলে, "নকবা কার্লাইল দা, মোৰে শপত সেই কথা মনত পেলাই নিদিবা কাৰো কৰিছোঁ।"

ইছাবেল অবাক। ৰাবৰাবাই আকৌ সুধিলে, "পিটাৰ যাব পাৰিব নে?" "থাক মযে যাওঁ বলা"বুলি কৈ কার্লাইলে হাতত টুপিটো আৰু লাঠিডাল ললে। ৰাবৰাবাৰ বুক কঁপিবলৈ ধৰিলে। কঁপি কঁপি ইছাবেলৰ আৰু কর্ণেলিয়াৰ বিদায় লৈ ওলাই গল। যেতিয়া কার্লাইলে ৰাবৰাবাৰ হাতখন নিজৰ বুকলৈ টানি আনি যাব ধৰিলে, ৰাবৰাবাৰ বুকুখন আৰু বেছিকৈ কঁপি উঠিল। সেই আগৰ দৰেই হাতত ধৰাধৰি—একে ভাৱে, একে চলন-দুৰণ; কেৱল কার্লাইল আৰু এজনীৰ স্বামী, এয়ে প্ৰভেদ।

দুয়ো যাবলৈ ধৰিলে। ৰাবৰাবাৰ অন্তৰত কত ভাবৰ উদয় হল—কোনে জানে? তাই মনক দমাব নোৱাৰিলে, নিজক পাহৰিলে। কার্লাইলৰ প্ৰতি অন্তৰ ভৰা ভালপোৱা আসক্তি, ইছাবেলৰ প্ৰতি সতিনী হিংসা, তাইৰ অন্তৰ ডেই-পুৰি মাৰিব ধৰিলে। তাইৰ মনত ভাব হল যেন কার্লাইল আৰু ইছাবেলহে সংসাৰত সুখ-সন্তোষৰ কোলাত দুৰ মাৰি আছে—তাই নিজে সংসাৰৰ বাহিৰত এচুকত অকলে পৰি আছে হা-হুমুনিয়াহৰ মাজত—কেৱে তাইৰ খবৰ নলয়। ভাবি ভাবি ৰাবৰাবা ৰাউলী হৈ উঠিল। চকুৰে তাই অন্ধকাৰ দেখিবলৈ ধৰিলে, শেষত কার্লাইলৰ গাতে ঢলি পৰিল। কার্লাইলে আচৰিত হৈ সুধিলে, "কি হল ৰাবৰাবা? কি হল?" তেওঁ আথেবেথে লাহেকৈ ৰাবৰাবাক বনৰ ওপৰতে পেলাই থৈ ওচৰৰ পুখুৰী এটাৰ পৰা টুপিটোৰে পানী আনি ৰাবৰাবাৰ মুখত দি বিচিৰবলৈ ধৰিলে। গা-মুখ পিটিকি দিলে। অলপ বেলিৰ মুখত চেতন পাই তাই উঠি বহিল কার্লাইলে সুধিলে, "ভাল পাইছোঁ নে ৰাবৰাবা? কি হল তোমাৰ?"

"কি হল বুলি তুমিও সোধা নে?"

কার্লাইল স্তম্ভিত হল। কলে, "মই একো বুজি পোৱা নাই ৰাবৰাবা। মই কিবা দোষ কৰিছোঁ যদি ক্ষমা কৰিবা। সেই ৰাখে মই ৰব দুঃখিত।" "ৰব দুঃখিত

সন্দেহ নাই। কিন্তু মোৰ কিবা বিচাৰ তুমি লোৱাঁ নে? মই যদি এতিয়াই মৰি যাওঁ তেন্তে তাত তোমাৰ ক্ষতি কি? তোমাৰ তিৰোতা আছে, তুমি তাইৰ যতন লবা, তাইক মৰম-চেনেহ কৰিবা, মই তোমাৰ কোন?"

"আঃ, কিবাবোৰ বকিব ধৰিছাঁ।" বাৰবাৰাৰ মূৰ্ত্তি ক্ৰমে উগ্ৰ হৈ আহিল। তাই কলে, "কিবাহে বকিছোঁ? মোৰ দুখ-দুৰ্গতি, জ্বালা-যন্ত্ৰণা তোমাৰ মনত কি? আৰ্কিবল কাৰ্লাইল, মই এনেকৈ জীয়াই থকাতকৈ মৰা শুতগুণে শ্ৰেয়ঃ। মই মোৰ অন্তৰৰ অগণি কেনেকৈ নুমাব লাগে নাজানোঁ, উপায় বিচাৰি পোৱা নাই।"

"মৰমৰ বাৰবাৰা, তোমাক মই কেতিয়াও ভুল বুজা নাই। আগৈয়ে যেনেকৈ তোমাক মৰম-চেনেহ কৰিছিলোঁ, যতন লৈছিলোঁ, এতিয়াও ঠিক তাকেই কৰিছোঁ; তাৰ অলপো ত্ৰুটি কৰা নাই। তেনে নকৰিবৰ কোনো কাৰণ নাই।"

"কাৰণ নাই? যেতিয়া তুমি আমাৰ ঘৰলৈ ঘনাই আহিছিলা, মোৰ ছায়া ৰূপে ফুৰিছিলা, যেতিয়া তুমি মোক এই সোণৰ হাৰ আৰু গলপত ধাৰ দিছিলা, যেতিয়া তুমি মোক ভনীতকৈও বেছি মৰম-চেনেহ কৰিছিলা—"

"ৰবা, বাৰবাৰা, ৰবা। এই যে ভাই-ভনী। এতিয়াও মই তোমাক ঠিক আগৰ দৰে ভনীটিৰ দৰে মৰম-চেনেহ কৰিছোঁ,—ভবিষ্যততো কৰিম।"

বাৰবাৰাই পগলা সুৰে কলে, "এৰা, এৰা, ভাই-ভনীৰ দৰে, অন্য একো নহয়? মোৰ অন্তৰ তুমি কিয় দখল কৰিছিলা? কিয় তুমি মোক তোমাত আসক্ত কৰিছিলা? কি কাৰণে—।" কাৰ্লাইলে বাধা দি কলে, "বাৰবাৰা, ক্ষান্ত হোৱাঁ। যদি তোমাক মই অন্য ভাৱে ভাবিছিলোঁ তেন্তে তাৰ বাবে মই বৰ দুঃখিত; অনুতাপ কৰিছোঁ, মোক ক্ষমা কৰিবা।"

বাৰবাৰাৰ অন্তৰৰ প্ৰবল ধুমুহাছাটি পাৰ হল, ক্ৰমে শান্তমূৰ্ত্তি ধাৰণ কৰিলে। তথাপি আকৌ গুমৰি উঠি কলে, "যদি ইছাবেল আমাৰ দুজনৰ মাজলৈ আহে তেতিয়া তুমি মোক ভাল পাবা নে? মৰম কৰিবা নে? চুমা এটি দিবা নে?"

"মই কব নোৱাৰোঁ। কেনেকৈ জানিম? মই তোমাক আগতে কৈছোঁ যে তোমাক মই এজন বন্ধু হিচাপে ভনীটি যেন দেখোঁ; তাৰ বেছি কব নোৱাৰোঁ। বাৰবাৰাৰ চকু চলচলীয়া হল। কলে "মই ইয়াকো সহ্য কৰিব পাৰিলোহেঁতেন। কিন্তু ৱেষ্টলিনিৰ আটায়ে দুয়োৰে নাম জোৰা লগাই কথা কয়। মোক মাৰি পেলোৱাঁ আৰ্কিবল।"

"মই তোমাৰ বাবে মৰ্ম্মান্তিক কষ্ট পাইছোঁ। আশা কৰোঁ এইবোৰ কথা অতি সোনকালে পাহৰি পেলাবা। মোৰ কথা সদায় মনত ৰাখিবা আমি যেন ভাই-ভনী।" কাৰ্লাইল যাবলৈ ওলাল কিন্তু বাৰবাৰা তাতেই থিয় দি থাকিল। এনেতে আগ ফালৰ পৰা হেয়াৰ পৰিয়ালৰ উইলছন নামৰ বান্দীজনীয়ে মাত লগালে, "মিছ বাৰবাৰা আইদেও নে?"

বাৰবাৰা চক খাই জাপ মাৰি উঠিল; দেখে যে আগতে উইলছন। কাৰ্লাইলে জেওৰাখন (জপনাবেৰা) পাৰি কৰি দিলে। বাৰবাৰাই কলে, "আৰু তুমি আহিব নালাগে, আমি যাব পাৰিম, তুমি যোৱাঁগৈ।"

"নহয়, তোমাক একেবাৰে পদূলিমুখত থৈ আহোঁগৈ বলাঁ।" কাৰ্লাইলে হাতখন আগ বঢ়াই বাৰবাৰাৰ হাতখন ধৰিলে।

মাত-বোল নোহোৱাকৈ দুয়ো আগ বাঢ়ি গল। উইলছনে বেগাবেগিকৈ গৈ ফটকৰ দুৱাৰখন মেলি দি আগ বাঢ়িল। কাৰ্লাইলে বাৰবাৰাৰ দুয়োখন হাত লগ লগাই ধৰি কলে, "গুড্ নাইট বাৰবাৰা। ভগৱানে তোমাৰ মঙ্গল কৰক।"

বাৰবাৰাৰ অন্তৰৰ ধুমুহা শান্ত হল—আকাশ নিৰ্ম্মল হল! তাইৰ অন্তৰৰ হাব-ভাব, উত্তেজনা সকলো মৰি গল, নিজৰ মূৰ্খালি নিজে বুজি পালে, শান্ত হল। লাহে লাহে কলে, "বোধ হয় মই পগলা হৈছিলোঁ, সেয়েহে কিবাবোৰ বকিলোঁ, মনত নাৰাখিবা আৰ্কিবল!"

"বাৰু, পাহৰিম।"

"মোৰে শপত, এই কথা তুমি তোমাৰ—তোমাৰ ইছাবেলক নকবা।"

"বাৰবাৰা!"

"অশেষ ধন্যবাদ, গুড নাইট।"

কিন্তু কাৰ্লাইলে বাৰবাৰাৰ হাত দুখন এৰি নিদি কলে, "বাৰবাৰা, আশা কৰোঁ সোনকালে মোতকৈ বেছি উপযুক্ত তোমাৰ অন্তৰ বুজা জীৱন-মৰণ সঙ্গী পাবা।" খং কৰি বাৰবাৰাই কলে, "কেতিয়াও নহয়। সোনকালে নালাগে সুদূৰ ভবিষ্যতত এনেকি মোৰ বুঢ়া বয়স পৰ্য্যন্ত মই সেই মিছ বাৰবাৰা হেয়াৰ হৈয়ে থাকিম।"

কাৰ্লাইলে আকাশ-পাতাল ভাবি ঘৰলৈ বেগ দিলে। ঘৰৰ সমুখৰ ফুলনিৰ মাজৰ পৰা কোনোবাই মাত দিলে, "আৰ্কি?"

"মৰমৰ মইনা ইছা! তুমি ইয়াত কেলেই?"

"তোমাক বাট চাই চাই ওলাই আহিছোঁ। বহুতো পলম হল।"

"এৰা, আমি অলপ দূৰ যাওঁতেই তেওঁলোকৰ ঘৰৰ চাকৰ এজনক লগ পাইছিলোঁ, তথাপি মই একেবাৰে ঘৰলৈ গৈছিলোঁ, ফুৰাও হল।"

"হেয়াৰ পৰিয়ালৰ লগত দেখিছোঁ তোমাৰ বৰ ঘনিষ্ঠতা।"

"নিশ্চয়। কৰ্ণেলিয়া বাইদেওৰ তেওঁলোকৰ লগত সম্বন্ধ লাগে।"

"বাৰবাৰা ছোৱালীজনী বৰ সুন্দৰ।"

"এৰা, খুব সুন্দৰ।"

"ইমান ঘনিষ্ঠ সম্বন্ধ যেতিয়া, নিশ্চয় তুমি তাইৰ প্ৰেমত পৰিছিলা।"

কাৰ্লাইলৰ হাঁহি উঠিল বাটত হোৱা দুৰ্ঘটনা মনত পৰি।

উত্তৰ নাপাই ইছাবেলে আকৌ সুধিলে, "নাছিলা নে?"

"মই। কি কৰিছিলোঁ ইছা?"

"তুমি কেতিয়াও বাৰবাৰা হেয়াৰক ভাল পোৱা নাছিলা নে?"

"তাইক ভাল পাইছিলোঁ, এতিয়াও পাওঁ, কিন্তু পীৰিতি কৰাৰ কথা! তোমৰ মূৰত কিহে বাহ ললে ইছা? মই এজনী কেৱল এজনী মাত্ৰ ছোৱালীৰ বাহিৰে কাকো অন্তৰেৰে ভাল পোৱা নাছিলোঁ, কাৰো লগত আসক্ত হোৱা বা পীৰিতি কৰা নাছিলোঁ। যিজনীক ভাল পাইছিলোঁ যিজনীত আসক্ত হৈছিলোঁ সেইজনীক আজি মই বিবাহিতা স্ত্ৰীৰূপে আনিছোঁ; বুজিলা ইছা?" এই বুলি কৈ কাৰ্লাইলে ইছাবেলৰ কোমল গালত টিপা এটা মাৰি দি হাঁহিবলৈ ধৰিলে।

ভগৱন্তৰ অৱতাৰ

—কৃপাবৰ

গোটেইখন পৃথিবীৰ কথাকে নকওঁ আৰু গোটেইখন ভাৰতবৰ্ষৰ কথাকো এৰি দিলোঁ, কিন্তু আমাৰ জকাই-চুক অসমতে ধৰ্ম্মৰ গ্লানি আৰু অধৰ্ম্মৰ প্ৰকোপ আজি-কালি ইমানকৈ হবলৈ ধৰিছে, যে বৰবৰুৱাৰ শাৰীৰ সাধু লোকসকলে ভাবি অবাক, যে কি আচৰিত কথা ভগৱন্তই নিজ মুখৰ বাণী সত্য কৰিবলৈ এতিয়া-লৈকে আকৌ এবাৰ অৱতাৰ নহল। পৰশুই সোমবাৰে ৰাতি শোৱাপাটীত পৰি এই কথাটোকে টলকি টলকি পাগুলি আছিলোঁ, আৰু সেই দৰে থাকোঁতেই কেতিয়া কব নোৱাৰোঁ মোৰ টোপনি আহিল।

সমাজিকত দেখিলোঁ ঈশ্বৰ অৱতাৰ হল। এজনক ঠাই ডোখৰৰ নাম সুধি জানিলোঁ, যে সেইখন কেন্দু-গুৰি সত্ৰ। ঈশ্বৰে সেই সত্ৰতে চাৰিখনীয়া পৰাই লৈ মূৰত মথুৰা পাগ মাৰি থম্‌থমীয়া দি অধিকাৰ হৈ বহি আছে। পাৰিষদবৰ্গৰ দ্বাৰাই পৰিবৃত প্ৰভু ঈশ্বৰে আউজিবলৈ পিছ ফালে বৰ গাৰু, তামোল খাবলৈ একাষে বঁটা, একাষে শিষ্যক নিৰ্ম্মালি প্ৰদান কৰিবলৈ ফুলৰ শৰাই। প্ৰভু ঈশ্বৰৰ সমুখত শিষ্য-প্ৰশিষ্যৰে সংগঠিত বৃহৎ সভা। তেখেতৰ জন্ম-কৰ্ম্ম, বাল্যলীলা, শিশু-লীলা, কৈশোৰ-লীলাৰ কথা মোৰ দ্বাৰাই সম্পূৰ্ণ ৰূপে অজ্ঞাত।

ওচৰতে হাত যোৰ কৈ ভূম্যাসনত বহি থকা পাৰিষদ সুনন্দ ৰাজমেধিলৈ চাই প্ৰভু ঈশ্বৰে মেঘৰ গম্ভীৰ ধ্বনিৰে কলে,—"মেধি? তুমি সভাসদবৰ্গক কৈ দিয়াঁ,

পৃথিবীত সঙ্ঘতিত হোৱা ধৰ্ম্মৰ গ্লানি দূৰীভূত কৰি পুনৰ ধৰ্ম্ম সংস্থাপনৰ অৰ্থে মই অৱতাৰ হৈছোঁ। সমবেত সভাসদ মণ্ডলীৰ ভিতৰৰ পৰা, কাৰ কি কব লগীয়া আছে, তুৰন্তে মোক কৈ যাওক।"

ঈশ্বৰৰ আজ্ঞা শুনি ৰাজমেধিয়ে সভাসদবৰ্গৰ ভিতৰৰ পৰা আবেদনকাৰীসকলক এজনৰ পিছত এজনকৈ ঈশ্বৰৰ আগ কৰি দিলে। প্ৰথমতে সাহিত্যিক চক্ৰপাণি বৰুৱাক ভেটোৱা হল। চক্ৰপাণিয়ে কলে, "প্ৰভু জগন্নাথ! আমাৰ অসমীয়া ভাষাটো বৰ দুখীয়া। ভাষাৰ উন্নতি নহলে দেশৰ উন্নতি নহয়। এতেকে প্ৰভু জগন্নাথে প্ৰথমতে আমাৰ ভাষাৰ উন্নতিৰ ব্যৱস্থা কৰি দিয়ক।"

প্ৰভু ঈশ্বৰ।—"ৰাজমেধি সুনন্দ! হওক ভাষাৰ উন্নতি। মোৰ এই আদেশ প্ৰচাৰ কৰি দিয়াঁ।"

সুনন্দ।—"প্ৰভু ঈশ্বৰ! এওঁৰ নাম পিঙ্গলচন্দ্ৰ গগৈ।"

ঈশ্বৰ।—"গগৈ! তোমাৰ কি কবলৈ আছে কোৱাঁ?"

পিঙ্গল।—"প্ৰভু জগন্নাথ! ভাষাৰ উন্নতিৰ আগতে আমাক প্ৰথমতে এখন ভাল অভিধান লাগে। নতুবা ভাষাৰ উন্নতি নহয়। আগৰখন অভিধান বুটি হল। সম্প্ৰতি যি এখন ন অভিধান ওলাইছে, সেইখন তেনেই ভুল; কাৰণ তাত বৰাহী শব্দটোৰ মানে এনে ভুলকৈ দিছে যে দেখিলে গা শিয়ঁৰি উঠে। অভিধানত এনেখন টিক্‌চালি কোনে সহিব পাৰে? এতেকে প্ৰথমতে আগৰ পৰা গুৰিলৈকে শুধ অভিধান এখন আমাৰ অসমত উপজিবলৈ প্ৰভু জগন্নাথে আজ্ঞা দিয়ক।"

ঈশ্বৰ।—লেঠা ওলাল যেতিয়া, মোৰ মনেৰে এজনৰ পিছত এজনকৈ সকলোৰে আৰ্জি শুনি শেহত বিচাৰ কৰি হুকুম দিয়াই ভাল। এতেকে ৰাজমেধি, পিঙ্গল গগৈৰ আৰ্জি "পেচ" কৰি থোৱাঁ, আৰু এওঁৰ পিছৰ জনৰ আৰ্জি লোৱাঁ।

সুনন্দ।—এওঁৰ নাম বহুব্ৰীহি শৰ্ম্মা।

বহুব্ৰীহি।—আমাক পোনতে ভাল ব্যাকৰণ এখন হে লাগে; তাৰ পিছত হে অভিধান।

ঈশ্বৰ।—এওঁৰ দৰ্খাস্ত নথীভুক্ত কৰা। তাৰ পিছত?

সুগ্ৰীৱ নকলনবিচ।—বিদেশী কিতাপৰ ভুৰি ভুৰি অনুবাদ হে আমাক প্ৰথমতে লাগে; তাৰ পিছত অভিধান ব্যাকৰণ আপুনি আহিব।

ঈশ্বৰ। আৰ্জি নথীভুক্ত।

ত্ৰৈলোকেশ্বৰ পণ্ডিত।—সংস্কৃত ভাষা শিক্ষা নকৰিলে আৰু তাৰ চৰ্চ্চা নকৰিলে দেশৰ উন্নতি নহয়। দেশী ভাষা গ্ৰাম্য ভাষা; তাৰ চৰ্চ্চাত দেৱ ভাষাক উলঙ্ঘা কৰা হয়। এতেকে অসমৰ নগৰে নগৰে গাৱেঁ গাৱেঁ একোখনকৈ সংস্কৃত টোল স্থাপন কৰি দিয়ক।

ঈশ্বৰ। নথীভুক্ত। তাৰ পিছত?

ধৰ্ম্মকান্ত চক্ৰবৰ্ত্তী।—প্ৰভু ঈশ্বৰে টানকৈ হুকুম দিয়ক যে ব্ৰহ্মপুত্ৰ নৈৰ আগ ছোৱা দেশৰ মাত-কথা আৰু পিছ ছোৱাৰ মাত-কথা আমাৰ অসমীয়া ভাষাত যেন সমানে থাকে। উদাহৰণ স্বৰূপে কওঁ যে পাঠ্য পুস্তকত হাতী হাথী আৰু চকু চখু এই দুইটা থাকিব লাগিব; বৰং হাতী আৰু চকু একেবাৰেই নাথাকিলেও হানি নাই। এই বিষয়ে মই ইমান দকৈ চিন্তা কৰিছোঁ আৰু কথাটো ইমান গভীৰ ভাৱে দেখিছো যে প্ৰভু ঈশ্বৰক বৰং মই অনুৰোধ কৰিবলৈকে ওলাইছোঁ যে যি অসমীয়াই হাথী আৰু চখু নিলিখিব সি যেন হাতীত উঠিব নোৱাৰে আৰু চকুৰে চাব নোৱাৰে। এনে টান হুকুমকে প্ৰভু জগন্নাথে সম্প্ৰতি প্ৰচাৰ কৰি দিয়া অত্যাৱশ্যক।

ঈশ্বৰ।—নথীভুক্ত। তাৰ পিছত?

সতৰাম মহন্ত।—প্ৰভু জগন্নাথে হুকুম দিব লাগে যে অসমীয়া ভাষাৰ বৰ্ণবিন্যাসত যেন যুক্তাক্ষৰ থাকিব নোৱাৰে। কাৰণ অসমীয়াৰ জিভা মিহি আৰু নিমজ বুলি কৌটীকালৰ পৰা প্ৰখ্যাত। যুক্তাক্ষৰৰ ঘঁহনিত অসমীয়াৰ জিভাত ঘা লাগিবৰ সম্ভৱ। জিভাত ঘা! বাপৰে বাপ!

ঈশ্বৰ।—নথীভুক্ত। তাৰ পিছত? quick quick।

ধনীৰাম বেন্দৰ।—ধৰ্ম্মই সকলোৰে মূল। ধৰ্ম্মচৰ্চ্চা নহলে দেশৰ উন্নতি নহয়। এতেকে সকলোকে ধৰ্ম্ম-চৰ্চ্চা কৰিবলৈ প্ৰভু ঈশ্বৰে আদেশ দিয়ক।

বিশ্ব-প্ৰৱাহ

মানুহ পখী

মিঃ ক্লেমচন আমেৰিকাৰ এজন বিখ্যাত বৈমানিক। তেওঁ প্যেৰাচুটেৰে নানা ৰকম দুঃসাহসিক ক্ৰীড়া কৌতুকো দেখুৱায়। অলপতে 'ডেটোনা বিচ'ত (ফ্লৰিডা) তেওঁ এবিধ নতুন ধৰণে সজা সাজ পিন্ধি শূন্যত পখীৰ দৰে উৰি সকলোকে চমক লগাইছিল। তেওঁ এখন উৰা জাহাজৰ পৰা জপিয়াই পৰি স্বাভাবিক পখীৰ দৰে



মিঃ ক্লেমচন

ভালেখিনি সময় উৰি ফুৰিছিল আৰু শেষত প্যেৰাচুটেৰে নামি পৰিছিল।

মহাবীৰ নেপোলিয়ানৰ লেখা

মহাবীৰ নেপোলিয়ানৰ লেখা চিঠি-পত্ৰবোৰ গোটাই সময়ে সময়ে অসাধাৰণ মূল্যত বিক্ৰী কৰা হয়। বৰ্ত্তমানে নেপোলিয়ানে দ্বিতীয় মহাৰাণী মেৰী লুইলৈ লেখা ভালেখিনি চিঠিপত্ৰ পোৱা গৈছে। ফৰাচী গৱৰ্ণমেণ্টে এইবোৰ কিনি লৈছে। তাৰ লগত মেৰী লুইৰ প্ৰথম ডায়েৰী আৰু তাত থকা নেপোলিয়ানলৈ লেখা এখন চিঠি পোৱা



নেপোলিয়ানৰ লেখা

গৈছে। এইবোৰ লণ্ডনত বিক্ৰীৰ কাৰণে জাননী দিয়া হৈছে।

অলিম্পিক ঘণ্টা



অলিম্পিক ঘণ্টা

১৯৩৬ চনত জাৰ্ম্মাণীত পাতিব খোজা অলিম্পিক খেলত বজাবলৈ জাৰ্ম্মাণীৰ এজন শিল্পীয়ে এটি অভিনৱ

ঘণ্টা সাজিছে। তাৰ ওজন ১০ টন হব। ঘণ্টাটিত লেখা আছে—"I call to the youth of the land", শিল্পী হাৰ লেমকীয়ে তেওঁৰ ইডিণ্ডত ঘণ্টাটিৰ শেষ কাম কৰিবলৈ ধৰিছে।

এবাতিতে অভিনয় পৰিবৰ্ত্তন



এবাতিতে শুকাই থোৱা বিলৰ দৃশ্য



বাতিপুৱা শুকাই থোৱা বিলটো মানুহবোৰে অবাক হৈ চাব ধৰিছে

জাভাত এটি বিল অসাধাৰণ ভাবে এবাতিত শুকাই গৈ সকলোকে চমক লগাই দিছিল। বাতিপুৱা এনে এটি অভিনয় ঘটনা দেখি মানুহৰ মহা আতঙ্ক উপস্থিত হৈছিল। এই বিলৰ পানী ওলাই গৈ গাওঁ ভূই বুৰাই গৈছিল। আৰু নিজে লগে লগে শুকান হৈ পৰি বৈছিল। ইয়াৰ কাৰণ এয়েই যে সেই ঠাইতে এটি আগ্নেয়গিৰি আছে। সেই আগ্নেয়গিৰিৰ ওপৰ ভাগ ওফন্দি উঠি বিলৰ তলি ওপৰলৈ তুলি দিয়ে আৰু বিলৰ পাৰ ভাঙি গৈ বিলত ভৰি থকা পানী টনে টনে ওলাই গৈ ওচৰৰ উপত্যকা ভৰি পৰে। এই বিল বস্তুৱ অতি প্ৰিয় ঠাই আছিল। তাৰ ওচৰত নান



বিলৰ পাৰত থকা এটি সৰু পাহাৰ, বিল শুকাই গোৱাৰ পিছত সৌন্দৰ্য্যহীন হৈ পৰি বৈছে।

ধুনীয়া বৰণীয় ফুলনি সাজি বাখিছিল। বিল লগে লগে সকলোবে শোভা আৰু সৌন্দৰ্য্যও মোপ পাইছে।

দুঃসাহসিক বৈমানিকৰ বেকৰ্ডৰ চেষ্টাত জীৱন পাত

ডেনমার্কৰ মিঃ জন ট্ৰেণাম এজন অতি দুঃসাহসিক

ঈশ্বৰ।—নথীত।

বৰনচন্দ্ৰ উকিল।—সমাজ-সংস্কাৰ নহলে দেশ উদ্ধাৰ নোৱাৰে। এতেকে আন সকলোবোৰ কাতিকৈ থৈ সকলোৱে সমাজ-সংস্কাৰৰ অৰ্থে উঠি-পৰি লাগিবলৈ প্ৰভুৱে আজ্ঞা দিয়ক।

ঈশ্বৰ।—নথীত।

গদবাম মুক্তিয়াৰ।—ৰাজনৈতিক উন্নতিয়েই ঘাই কথা। সকলো কাৰ্য্য পৰিত্যাগ কৰি সকলোৱে যেন ৰাজনৈতিক আন্দোলন কৰে, এই হুকুম প্ৰভুৱে দিয়ক।

ঈশ্বৰ।—নথীত।

ধিনাৰাম শইকীয়া।—গাৱঁৰ উন্নতি নহলে দেশ মুধায়। সেই দেখি আমাৰ সকলোকে গাৱঁলৈ উভতি যাবলৈ প্ৰভুৱে আদেশ দিয়ক।

ঈশ্বৰ।—নথীত।

বিনোদ গগৈ।—উচ্চ শিক্ষাই উন্নতিৰ মূল। দেশত উচ্চ শিক্ষা বিস্তাৰৰ অৰ্থে আমাক সৰহকৈ হাইস্কুল আৰু কলেজ লাগে। তাৰ উপৰি বিশ্ববিদ্যালয় এটা তপতে তপতে লগা হৈছে। ডিলঠতো এটা সুকীয়াকৈ দিয়ক, যাতে তাত তেওঁলোকে তেওঁলোকৰ নিজৰ দেশৰ ভাষা চলাই তাৰ উন্নতি কৰিব পাৰে। আমি আপোন-পেটীয়া নহওঁ; তেওঁলোককো দি-থৈ হে আমি ধাৰ খুজিছোঁ।

ঈশ্বৰ।—নথীত থোৱাঁ।

সীতাৰাম বৰা।—প্ৰাইমেৰী শিক্ষাই হে ঘাই। এতেকে উচ্চ শিক্ষাৰ ব্যৱস্থা স্থগিত ৰাখি প্ৰাইমেৰী শিক্ষাৰ প্ৰচলনৰ অৰ্থে প্ৰভুৱে আদেশ দিয়ক।

ঈশ্বৰ।—নথীত।

ভীম শৰ্ম্মা।—শৰীৰমাদ্যং খলুধৰ্ম্মসাধনং। এতেকে ব্যায়াম চৰ্চ্চা হে আমাক প্ৰথমতে লাগে। প্ৰভুৱে তাৰ দিহা কৰক।

ঈশ্বৰ।—নথীত।

গোলোক বৰুৱা।—পশু-পালনেই উন্নতিৰ প্ৰধান উপায়। গাভী মাতাৰ উন্নতিৰ লগত দেশৰ উন্নতিৰ অঙ্গাঙ্গী সম্বন্ধ। এতেকে সকলো কাতি কৰি থৈ অসমীয়াই পশু-পালনত ভালকৈ লাগি যাবলৈ প্ৰভুৱে আজ্ঞা দিয়ক।

ঈশ্বৰ।—নথীত থোৱাঁ।

জিনাৰাম মহাজন।—দেশত কল-কাৰ্খানা প্ৰচুৰ পৰিমাণে স্থাপিত নহলে আমাৰ দেশ আগ বাঢ়িব নোৱাৰে। এতেকে তাৰ ব্যৱস্থা প্ৰভু জগন্নাথে কৰি দিয়ক।

ঈশ্বৰ।—নথীৰ ভিতৰত।

হৰেশ্বৰ শৰ্ম্মা।—দেশত বন্ধৰ প্ৰচলন নহলে দেশ বসাতললৈ যাব। এতেকে তাৰ বিপুল ব্যৱস্থা কৰিবৰ আদেশ হওক।

ঈশ্বৰ।—নথীৰ ভিতৰ কৰা।

বিলাসী ডাক্তৰ।—স্বাস্থ্যই মূল। এতেকে আন সকলো পিছলৈ থৈ Sanitation-অৰ ব্যৱস্থা কৰা হওক।

ঈশ্বৰ।—নথীত।

চতাই সাজতোলা।—প্ৰভু জগন্নাথে দেশত আকৌ আদু গেতি চলিবৰ আজ্ঞা দিয়ক। প্ৰজাৰ বৰ দুখ হৈছে প্ৰভু জগন্নাথ। প্ৰজাক আগৰ দৰে অমায় সুখত বাখিবলৈ হলে কানি সস্তা আৰু হাতে-পোৱা হব লাগে।

ঈশ্বৰ।—নথীত।

গোন্ধাই গাওঁবুঢ়া।—হিন্দু-মুছলমানৰ মিল নহলে দেশত উন্নতি নহয়। এতেকে অচিৰতে তাৰ দিহা কৰিব লাগে, মোৰ এই গোহাৰি।

ঈশ্বৰ।—নথীত।

বীৰ চৌধুৰী।—কংগ্ৰেচৰ সভাপতি ৰাজেন্দ্ৰপ্ৰসাদ আৰু কংগ্ৰেচৰ ধৰণী পণ্ডিত মালবাৰ মাজত কাৰ্য্য-প্ৰণালীৰ মিল কৰি দি দুইবো কাৰ্য্যৰ ধাৰ একে কৰি দিয়ক। নতুবা দেশৰ হানি।

ঈশ্বৰ।—নথীত।

বিদ্যাধৰ দাস।—পণ্ডিত জওহৰলাল আৰু সুভাষ বাবুক একেবাৰেই মুকলি কৰি দিয়ক আমাৰ কীৰ্ত্তনত কৈছে:—

"জৱাসন্ধে বান্ধি থৈছে নৃপতি বহুত।
কৃষ্ণত শৰণ মাগি পঠাই দিলে দূত॥"

এতিয়া মোক প্ৰভু ঈশ্বৰে তেওঁলোকৰ দূত বুলিকে ভাবক।

ঈশ্বৰ।—নথীত।

সনাতনী পুঞ্জাবি।—প্ৰভু ঈশ্বৰে দেশত আজ্ঞা প্ৰচাৰ কৰি দিয়ক, যে প্ৰত্যেক ঠাইৰ পৰা আলি ৰবককাই পেটালক একোখন অভিনন্দন-পত্ৰ দিয়া হওক। তেওঁৰ আহি সংৰ্দ্ধোত্তম। সকলোৱে সেই আহি মতে চলিবলৈ প্ৰভুৰ পৰা "ফাৰ্ম্মেণ জাৰি" হব লাগে। পুব আৰু পশ্চিমৰ ভিতৰত সমিলন নহলে পুব থিতাতে মৰিল জানি থব। বিবাহেই হৈছে মিলনৰ সুৱগা।

ঈশ্বৰ।—নথীত।

এনেতে দেখা গল যে ঈশ্বৰে ৰবকৈ হামিয়াবলৈ ধৰিলে। তেখেতৰ পিছ ফালে বহি থকা নন্দ পাঁচনিক তেখেতে কলে, "নন্দ, তুমি ভিতৰলৈ যোৱাঁচোন, থৰৰ কৰি আহাঁ, 'লঞ্চ' (lunch) প্ৰস্তুত হল নে?" থস্তেকতে উভতি আহি নন্দ পাচনিয়ে কলে, "লঞ্চ চেচা হলকে বুলিব লাগে প্ৰভু ঈশ্বৰ! লক্ষ্মী আয়ে বান্ধি-বাঢ়ি কেতিয়াবাবে পৰা আগত লৈ বহি আছে।"

ঈশ্বৰে সুনন্দ ৰাজমেধিক সুধিলে, "আৰু কিমান দৰ্থাস্ত পেচ হবলৈ বাকী আছে?" ৰাজমেধিয়ে কলে, "এক কোটীৰো ওপৰ হব।"

ঈশ্বৰ।—"মই জলপান খাই আহি হে সেইবোৰ শুনিব পাৰিম।" এই বুলি কৈয়েই, তেখেত গিৰিপকৰে উঠি ভিতৰ সোমাল।

* * * *

ঘণ্টাৰ ওপৰ হল সভাসদসকল বহি আছে, তথাপি গোসাঁই-ঈশ্বৰ ভিতৰৰ পৰা নাহিল। সকলোৰে মাজত উচপিচনি লাগি পৰিল। আঁৰ-কাপোৰৰ ভিতৰৰ পৰা ভকতনী বা গোপিনীসকলে নাম ধৰিলে :--

"ওলাই আহা প্ৰভুদেৱ! আজুলিক লেখি।
প্ৰজাসকল বৈ আছে তোমাক নেদেখি॥"

সকলোৱে সুনন্দ ৰাজমেধিক ধৰিলে,—"ৰাজমেধি! তুমি ভিতৰলৈ যোৱাঁ, প্ৰভুক কোৱাঁগৈ যে প্ৰজাসকল উৎকণ্ঠিত হৈ ৰাট চাই আছে, প্ৰভু জগন্নাথ ওলাই আহক।" ৰাজমেধিয়ে কলে, "ৰাইজসকল! মই ভিতৰলৈ যাবৰ হুকুম নাই, কেনেকৈ যাম?" মেধিৰ উত্তৰ শুনি সকলোৱে মুখ জঁয় পৰি গল।

এনেতে দেখা গল, হাতত বীণ লৈ দেৱৰ্ষি নাৰদে সভাসদসকলক সম্বোধন কৰি কলে,—"ৰাইজসকল! তোমালোকে কিয় মিছাতে ইয়াত বহি আছাঁহক? মোৰ প্ৰভু জগন্নাথ তো এই চুবুৰিত নাই। মই এই মাত্ৰ দেখি আহিলোঁ, প্ৰভুৱে শ্বেতদ্বীপৰ পাৰৰ বৰগছ এজোপাৰ পাত এটাত বালগোপাল মূৰ্ত্তি ধৰি শুই আছে। আগতে সমুদ্ৰৰ প্ৰলয়জলে ছেন্দোলদোপ কৰিব লাগিছে; আৰু সেই জলতে বপুৱা বুঢ়া বামুণ মাৰ্কণ্ডেয় ঋষি উটি-বুৰি পানী খাই ঘুৰিছে। সাগৰৰ পানী এনেকৈ বাঢ়িব লাগিছে যে কোনে জানে, সি অচিৰতে এই ফাললৈকো বাগৰি বৈ আহিব পাৰে। আহিলে কিন্তু সৰ্ব্বনাশ! তোমালোক আটাইবোৰকে চৌহাই উটাই লৈ যাব। এতেকে শীঘ্ৰে উঠি পলাই যোৱাঁহক, আৰু এখন্তেক পলম নকৰিবা। শাস্ত্ৰৰো পৰামৰ্শ সেয়েই :—"যো পলায়তি স জীৱতে।" এই বুলিয়েই নাৰদে বীণৰ তাঁৰত টুং টুং কৰি গীত ধৰিলে :—

"গোবিন্দ চিন্তন্ত বালগোপালং।
ৰতন তলপমহ শয়নে ৰহুতু হৰি,
পঙ্কজ নয়ন বিশালং।
কৰ-পঙ্কজ যুগে ধৰি পদ-পঙ্কজ
ৰয়ন-পঙ্কজে নিবেশিতং।
মুনিবৰ কেইন্তে ছোড়ি অমিয়া মধু
পদ-পঙ্কজ ৰস পিতং।
ওহি মন ভাব পৰম ৰতি কৌতুকে,
নিজ পদ-পঙ্কজ পালং।
বালক কেলি অমিয়া ৰস-সাগৰ,
মাধৱে কহে পৰমানং।"

দৈমানিক আছিল। প্যেৰাচুটেৰে ওপৰৰ পৰা জপিয়াই পৰাত তেওঁ কেবাবাৰো বেকৰ্ড বাখিছে। ১৯৩৮নত তেওঁ ১০০০ ফুট ওপৰৰ পৰা জপিয়াই পৰি পৃথিবীৰ বেকৰ্ড বাখিছিল। ১৯৩৭ চনত ১৭২৫০ ফুটৰ পৰা জপিয়াই পৰি পৃথিবীৰ আন এটি বেকৰ্ড কবিছিল। এইবাৰ তেওঁ এই বেকৰ্ডো ভাঙিবলৈ বুলি ৩১,০০০ ফুট ওপৰৰ পৰা জপিয়াই পৰে আৰু পৰাৰ লগে লগে শূন্যতেই তেওঁ



মিঃ জন ক্রেগাম

অজ্ঞান হয় আৰু মাটি আহি পোৱাৰ লগে লগেই প্ৰাণ এৰে।

মকডুমিৰ চোৰাং কানিৰ ব্যৱসায় নিবাৰণ

ইৰাক গৱৰ্ণমেণ্টে মকডুমিৰ মাজত চোৰাং কানিৰ ব্যৱসায় নিবাৰণৰ বাবে নানা বকম উপায় অৱলম্বন



চোৰাং কানিৰ ব্যৱসায় নিবাৰণ কৰা পুলিছ আৰু মটৰ গাৰী

কবিছে। তাৰ বাবে কিছুমান বেলেগ পুলিছ নিযুক্ত কবিছে। এই পুলিছ বোৰে মটৰ গাৰী ঘোৱা নাইবা উটৰেৰে গৈ অতৰ্কিতে চোৰাং কানিৰ ব্যৱসায়ীবোৰক ধৰি আনে। এই কামৰ বাবে পুলিছবোৰক বিশেষ শিক্ষা দিয়া হৈছে।

বিবিধ

বেছি দিন ৰাজত্ব কৰা য়ুৰোপৰ ৰজা ৰাণী সকল :—

১। চতুৰ্দ্দশ লুই (ফ্ৰান্স) ৭২ বছৰ।

২। ফ্ৰান্সিচ জোচেফ (অষ্ট্ৰীয়া) ৭০ বছৰ।

৩। মহাৰাণী ভিক্টোৰীয়া (ইংলণ্ড) ৬৪ বছৰ।

* * * *

মানুহে বৰ্ত্তমানলৈ পৃথিবীৰ পৰা ১০ মাইল ওপৰলৈ উঠিব পাৰিছে।

* * * *

মহাসাগৰবোৰৰ কালি পৰিমাণ আৰু গভীৰত্ব।

১। প্ৰশান্ত মহাসাগৰ	৬৩,৯৮৬,০০০	বৰ্গমাইল কালি,	৩২,০৮৯	ফিট গভীৰ
২। আটলাণ্টিক মহাসাগৰ	৩১,৫৩১,০০০	" "	৩১,৩৬৮	"
৩। ভাৰত মহাসাগৰ	২৮,৩৫০,০০০	" "	২২,৯৬৬	"
৪। উত্তৰ মহাসাগৰ	৫,৫৪১,৬০০	" "	১৩,২০০	"
৫। দক্ষিণ মহাসাগৰ	২,০০০,০০০	" "		

* * * *

জোনৰ ব্যাস ২১৬৩ মাইল, পৰিধি ৬৭৯ মাইল আৰু ওপৰ ভাগৰ কালি ১৪,৬৬০,০০০ মাইল।

* * * *

গ্ৰহবিলাকৰ ব্যাস

১।	সূৰ্য্য	৮৬৬,৫০০	মাইল
২।	জোন	২,১৬৩	"
৩।	পৃথিবী	৭,৯১৮	"
৪।	মাৰ্‌কুৰি	২,৭৬৫	"
৫।	ভেনাচ্	৭,৮২৬	"
৬।	মাৰ্চ্চ,	৪,৩৫২	"
৭।	জুপিটাৰ,	৯০,১৯০	"
৮।	চেতাৰ্ণ,	৭৬,৪৭০	"
৯।	আৰোনাচ্	৩৪,৯০০	"
১০।	নেপচুন,	৩২,৯০০	"

* * * * * * *

সূৰ্য্যৰ চাৰিও ফালে ঘূৰোঁতে গ্ৰহবিলাকৰ প্ৰতি চেকেণ্ডৰ বেগ

১।	মাৰ্‌কুৰি	প্ৰতি চেকেণ্ডত	২৯	মাইল।
২।	ভেনাচ্	" "	২১·৭	" ।
৩।	পৃথিবী	" "	১৮	"
৪।	মাৰ্চ্চ,	" "	১৪·৯	"
৫।	জুপিটাৰ	" "	৮	"
৬।	চেতাৰ্ণ	" "	৬·২	"
৭।	আৰোনাচ্	" "	৪·৩	"
৮।	নেপ্‌চুন্	" "	৩·১	"

কিছুমান জন্তুৰ শৰীৰৰ স্বাভাবিক তাপ পৰিমাণ

বান্দৰ	১০৪·
বাদুলী	১০০·
মেকুৰী	১০২·
কুকুৰা পোৱালী	১১১·
কাউৰী	১০৯·
কুকুৰ	১০২·
গাধ	৯৮·
মাইকী কুকুৰা	১০৮·
পাতি হাঁহ	১১১·
বাঘ	৯৯·
পাৰ	১০৯·
সাপ	৮৮·
ঘৰ চিৰিকা	১০৮·
ইন্দুৰ	১০২·
যাৰ	১০২·
ভেৰা	১০৪·

বিহু উৎসৱ

—শ্ৰীযুত শৈলধৰ ৰাজখোৱা বি-এ

তেজপুৰৰ বৰ্ত্তমান বয়ো-জ্ঞানবৃদ্ধ আৰু আমাতকৈ বহুগুণে অভিজ্ঞসকলৰ ভিতৰৰ এজনক এই সন্মিলনৰ সভাপতি নাপাতি বৰনৈৰ সিপাৰৰ পৰা ঘটনা-সোঁতত উটি অহা এই অযোগ্যকে সেই আসন খনি যচাৰ এক মাত্ৰ উদ্দেশ্য ফটফটিয়াকৈ বুজিব পাৰি যে আপোনাসকলে নিলগৰ অসমীয়াক নিজৰ বুকুত সুমুৱাই লৈ তেওঁ ইয়াত প্ৰবসুৱা বুলি ভাবিবলৈ আৰু অৱসৰ দিব নোখোজে। কিন্তু মই আপোনাসকলক জনাওঁ, তেজপুৰলৈ আহি সকলোৰে লগত চিনা-জনা হোৱাৰ পূৰ্ব্বেও মই ইয়াত প্ৰবসুৱা যেন অনুভৱ কৰিব পৰা নাছিলোঁ। আহিবৰ পিছ দিনাৰ পৰাই প্ৰায় এমাহমান ইয়াৰ দ'ল, দেৱালয়, পৰ্ব্বত, পাহাৰ, ফুলপাত কটা শিল, শিলৰ মূৰ্ত্তি, হজৰা পুখুৰী আদি চাই অকলে অকলে অনাই-বনাই ঘূৰি ফুৰিছিলোঁ। ইয়ালৈ পূৰ্ব্বে কেতিয়াও অহা নাই যদিও, মোৰ মনে ধৰিছে, এই ঠাইখনি যেন মোৰ তেনেই চিনাকি! মই যেন ইয়াত মোৰ অতি চেনেহৰ কিবা বস্তু কেতিয়াবা হেৰুৱাই থৈ গৈছিলোঁ! অগ্নিগড় পাহাৰৰ ওপৰত থিয় হৈ বৰনৈৰ অতুলনীয় বিমল দৃশ্য চাবলৈ, মহাভৈৰৱ দেৱালয়ত আৰু ভৱানী মন্দিৰত মূৰ দোৱাঁবলৈ, হজৰা পুখুৰী, ভৰলী নৈ আৰু গাভৰু নৈৰ পাৰত ফুৰিবলৈ মই যেন কত বাৰ অহা-যোৱা কৰিছিলোঁ। বামুণী পাহাৰৰ ফুলপাত কটা শিলাময় মন্দিৰৰ ধ্বংসাৱশেষ চাই থাকিলে কোন অতীতৰ পাহৰা কথা মনত পৰে বুজিব নোৱাৰোঁ। ইয়াৰ প্ৰতি ছটা কটা শিল আৰু পদুম পাৰ্কৰ শিলৰ পদুম, শিলৰ মূৰ্ত্তি আদি মোৰ যেন তেনেই চিনাকি! আপোনাসকলে বিশ্বাস নকৰিলেও মই কওঁ যে ই মোৰ কোনোবা বিগত জনমৰ সোঁৱৰণী। বহু সহস্ৰ বছৰ পূৰ্ব্বে বাণ ৰজাৰ দিনত নাইবা সমুদ্ৰ গুপ্তৰ দিনত অথবা হৰ্জ্জৰ বৰ্ম্মাৰ দিনত ময়ো যেন সেই বিজয়-গৌৰৱদীপ্ত স্বাধীন অসমীয়া ভাইহঁতৰ লগ লাগি উষা আইৰ মন্দিৰ সাজিবলৈ নাইবা দেৱমন্দিৰ আৰু নগৰাদি নিৰ্ম্মাণ কৰিবলৈ নিলগৰ পাহাৰৰ পৰা বৰ বৰ শিল কঢ়িয়াই আনিছিলোঁ। বামুণী বা বলিছলন পাহাৰত এতিয়া যিবিলাক ফুলপাত কটা প্ৰকাণ্ড প্ৰকাণ্ড শিল পৰি থকা দেখিছে, আমি তেতিয়া প্ৰতি জনেই তেনে শিল দুহাতে দুছটা আৰু মূৰতো কেই ছটামান কঢ়িয়াই আনি আমাৰ শিল্পীসকলক যোগান ধৰিছিলোঁ। আপোনাসকলে নাহাঁহিব, কাৰণ যিসকলে এই প্ৰকাণ্ড প্ৰকাণ্ড শিল কাটি মূৰ্ত্তি আৰু মন্দিৰাদি নিৰ্ম্মাণ কৰিব পাৰিছিল তেখেত-সকলৰ এই শিল অনায়াসে কঢ়িয়াই আনিব পৰা শক্তিও আছিল।

তেতিয়া আমি মুকলি মূৰীয়াকৈ ফুৰিছিলোঁ, গীত গাইছিলোঁ, নাচিছিলোঁ আৰু শিল খাই জীন নিয়াইছিলোঁ। সেই দিন ক'ত? আমি কি আছিলোঁ, কি হলোঁ! আমাৰ সেই স্বৰ্গ আছে, কিন্তু দেৱৰ্ষিসকলৰ বেদধ্বনি নাই; নন্দন কানন আছে, কিন্তু অপ্সৰাৰ কণ্ঠস্বৰ নাই; উষা আইৰ ভৱানী মন্দিৰ আছে, শিৱভক্ত বাণৰজাৰ মহাভৈৰৱ দেৱালয় আৰু কোটি শিৱলিঙ্গ ঠায়ে ঠায়ে পৰি আছে, কিন্তু আজি তাত তেনেকৈ পূজা দিয়ে কোনে? দ্বিতীয় কাশী বিশ্বনাথ আছে, কিন্তু পূৰ্ব্বৰ গৌৰৱ নাই। অসম জননীৰ বক্ষস্থল তেজপুৰত আৰু বা কত অতীতৰ শত কীৰ্ত্তি-কাহিনী লুপ্ত হৈ আছে, তাক বিচাৰি চায় কোনে? অসমত এতিয়াও মানুহ আছে, এই নন্দন বনত দিতি আৰু অদিতিৰ বংশধৰসকল এতিয়াও আছে, কিন্তু প্ৰাণ নাই! সকলো লুপ্ত, নিজম, নিমাত! যেন কালি হে উষা দেৱীক দ্বাৰকালৈ উলিয়াই দিছে।

বাইজনকল্প! আজি অসমৰ ইমুৱৰ পৰা সিমুৱলৈকে শুনি আছিলোঁ সেই একে প্ৰশ্ন,—সেই দিন ক'ত?—আমি কি আছিলোঁ, কি হলোঁ!—আমাৰ বৈশিষ্ট্য ক'ত?—আমি অতীতৰ সেই অসমীয়া জাতি বুলি চিনাকি দিবলৈ বৰ্ত্তমান আছে কি? আমাৰ মাত-কথা বাবে-বঙলুৱা, সাজ-পোষাক বিজতৰীয়া, ধৰণ, কৰণ, চলন, সুবণ, সকলোতে বিদেশী ঠাচ। আজি গোটেই অসমীয়া জাতি অকস্মাৎ সাৰ পাই চকু মোহাৰি নিজকে নিজে এইবিলাক প্ৰশ্ন কৰিবলৈ ধৰিছে আৰু তাৰ ফলত দেশত এটা নব জাগৰণৰ আভাস পোৱা গৈছে। আজি আমাৰ এই বিহু সম্মিলনো তাৰেই প্ৰাতনি। বৰ্ত্তমান নব জাগৰণৰ দিনত আমি পোন প্ৰথমে সমুখত বিদেশীৰ কৰাল মূৰ্ত্তি দেখি চকু খাই উঠিছোঁ, আৰু তাৰ প্ৰতিকাৰৰ চেষ্টা কৰিছোঁ। আমি এতিয়া হে গম পাইছোঁ যে চাৰিও ফালৰ পৰা বিদেশীয়ে আমাক গ্ৰাস কৰিবলৈ উদ্যত হৈছে। এইটো সম্পূৰ্ণ স্বাভাৱিক। কোনো প্ৰাচীন সভ্য দেশৰ অধঃপতন হলে আন নব জাগৰিত দেশৰ সভ্যতাই সেই দেশ গ্ৰাস কৰি পেলাই জাতিৰ নাম পৰ্য্যন্ত লুপ্ত কৰে। ৰাষ্ট্ৰবিপ্লৱৰ সময়ত ওঁৰ শতিকাত আৰু উনৈশ শতিকাৰ আগ ছোৱাত অসমীয়াবো সেই দশা হৈছিল। তেতিয়া আত্মবিস্মৃত অসমীয়াই বিদেশী সভ্যতাৰ বলি-শালত আত্ম-বিসৰ্জ্জন দিবলৈ নিজেই আগ বাঢ়ি গৈছিল। সেই সুযোগতে আমাৰ পশ্চিম কামৰূপ অৰ্থাৎ ধুবুৰীৰ পৰা কবতোৱালৈকে প্ৰাচীন কামৰূপৰ পঞ্চিমাংশ বিদেশীয়ে অনায়াসে গ্ৰাস কৰি পেলালে। ইং ১৮০৭ চনৰ পৰা ১৮১৬ চনৰ ভিতৰত ইণ্ডিয়া গৱৰ্ণমেণ্টৰ আদেশ মতে Dr. Francis Buchanan চাহাবে সংগ্ৰহ কৰা ভাটিৰ বংপুৰ, দিনাজপুৰ আদি ঠাইৰ বিৱৰণ পঢ়ি চালে বুজিব পাৰি যে সেই সময়লৈকে বংপুৰ জিলা কামৰূপ নামেই জনাজাত আছিল আৰু তাত কামৰূপীয়া বা অসমীয়া ভাষা, অসমীয়া আচাৰ-ব্যাহাৰ, ৰীতি-নীতি আদি প্ৰচলন আছিল। তেতিয়া গোৱালপাৰা আমাৰ স্বৰ্গদেউসকলৰ সীমাৰ বাহিৰে পৰাত বংপুৰ জিলাত ভুক্ত আছিল। মানাহ নৈয়েই অসমৰ শেষ স্বৰ্গদেউসকলৰ সীমা আছিল। পশ্চিম কামৰূপীয়া বঙালী হবলৈ এই ৰাজকীয় বিভাগেও সহায় কৰিলে। গোৱালপাৰা পিছত অসমৰ সীমাভুক্ত হোৱাত এই অংশ কোনো মতে সাৰিল; কিন্তু বঙালীসকলে এচিয়াই কঢ়া-আজোৱা কৰিবেই আছে। Dr. Buchanan চাহাবৰ বৰ্ণনাৰ সাৰাংশ সংগ্ৰহ কৰি Dr. Montegemeri Martine চাহাবে ইণ্ডিয়া গৱৰ্ণমেণ্টৰ আদেশ মতে Eastern India নামে কিতাপ এখন ছপাই উলিয়ালে। Eastern India, Vol. iii ত পাব যে উনৈশ শতিকাৰ আগ ছোৱাত বংপুৰ জিলাৰ মুঠ অধিবাসী ২৭৩৫০০০ মানুহৰ ভিতৰত ১৫৩৬০০০ মুছলমান, ৯২৯৫০০ কামৰূপীয়া, ২৬৪৮৫০ বিদেশী আৰু ৪৬৫০-জন আদুবিক জাতিৰ মানুহ আছিল। ডাঃ মাৰ্টিন চাহাবৰ মতে সেই ১৫লাখ মুছলমানৰ সৰহ ভাগ মানুহেই পূৰ্ব্বৰ কামৰূপীয়া মানুহ—বিদেশৰ পৰা অহা মুছলমান নহয়। মুছলমান নবাৰ-সকলৰ দিনত তেওঁবিলাকক মুছলমান ধৰ্ম্মত দীক্ষিত কৰা হৈছিল। বিদেশী ২৬৪৮৫০ জনৰ ভিতৰত মুঠে ২০০০ ঘৰ মানুহ হে আচল বঙ্গ দেশৰ মানুহ আছিল। তেওঁবিলাকৰ ভিতৰত তেতিয়া কিছুমান "ডমিচাইল্ড" হৈছিল যদিও সৰহ ভাগেই নিজক বিদেশী বুলিহেই ভাবিছিল। কিছু বছৰৰ ভিতৰতে এই ২০০০ ঘৰ বঙালীয়ে প্ৰায় কুৰি লাখ পশ্চিম কামৰূপীয়াক কেনেকৈ গ্ৰাস কৰি পেলালে সেইবিলাক আৰু ইয়াত ভাঙি-পাতি কোৱা অনাবশ্যক। মুঠতে সময়ৰ লগে লগে শিক্ষাৰ অভাৱেই ইয়াৰ মূল কাৰণ। ডাঃ মাৰ্টিন চাহাবৰ বিৱৰণ পঢ়িলে পাৰ হৈ উনৈশ শতিকাৰ আগ ছোৱাতো ভাটিৰ বংপুৰৰ কামৰূপীয়া ভাইহঁতে ঘৰতে গুৰু বাণি নিজৰ লবাবিলাকক মাতৃভাষা (কামৰূপীয়া) শিকা দিবলৈ যত্ন কৰিছিল। কিন্তু শিক্ষিত আৰু প্ৰবল বিদেশীৰ হেঁচাত তিষ্ঠিব নোৱাৰি পিছত বঙ্গলা শিকিবলৈ বাধ্য হল। তেতিয়া বংপুৰ জিলাত চলাক মাতৃভাষা শিকাবলৈ কোনো চকাৰী বা বে-চৰকাৰী পাঠশালা নাছিল। সেই সময়ত ভাটিৰ বংপুৰীয়া তিবোতাই কাপোৰ বৈছিল, কাপোৰত ৰং দিছিল, পাটনি আৰু মেখেলা পিন্ধিছিল, এড়ি-মুগা সুতা কাটিছিল আৰু আৰ ব্যাহাৰ কৰিছিল। তেতিয়া সাধাৰণৰ কথা দূৰত থাওক পণ্ডিতসকলৰ তিবোতা

সকলেই "বঙ্গলা প্ৰাকৃত" বা "বঙ্গ ভাষা" নুবুজিছিল। এতিয়াও অশিক্ষিত বংপুৰীয়াই বঙ্গ ভাষা বুজে নে নুবুজে সন্দেহ। আদিতে বংপুৰ জিলাৰ সৰহ ভাগ অধিবাসী কলিতা আৰু কোচ জাতিৰ মানুহ আছিল। পিছত কলিতাসকলে বঙালীৰ লগ লৈ নিজক উচ্চ জাতি বুজাবলৈ কলিতাৰ ঠাইত কায়স্থ নাম লৈ অসমীয়া বুলি চিনি পাবলৈ আৰু একো নথলে।

"It is difficult to ascertain the number of true Kayasthas that are in this district, because a humorous tribe called Kalita, who once had a great sway here, as they still have in Assam, have in more civilised parts assumed the title of Kayastha and conceal their decent from the Kalita." (Eastern India Vol, III.) ডাঃ বুকানন চাহাবৰ বিৱৰণৰ পৰাই বুজা যায়, এসময়ত কামৰূপৰ সভ্যতা আৰু ভাষা কবতোৱা পাৰ হৈ বঙ্গ দেশলৈ বিস্তৃত হৈছিল। এতিয়া আমাৰ পশ্চিম কামৰূপীয়া ভাইহঁতে নিজক বঙালী বুলি চিনাকি দি গৌৰ অনুভৱ কৰে। আত্মবিস্মৃত জাতিৰ এয়ে স্বাভাৱিক পৰিণতি। কিন্তু প্ৰাচীন কামৰূপৰ এনে এটা দিন আছিল যেতিয়া বিদেশী কামৰূপলৈ আহি কিছু দিন বাস কৰাৰ পিছত নিজকে কামৰূপীয়া বুলি পৰিচয় দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। তেতিয়া বিদেশী কামৰূপলৈ আহিলে আৰু উলটি নযৌগিল। সেই কাৰণে হিন্দুস্থানৰ এতিয়াও প্ৰবাদ আছে যে কামৰূপ বা অসমলৈ আহিলে মানুহ ভেঁড়া হয়। বৰ্ত্তমান সময়ত কিন্তু বিদেশী ইমানত জন্মগ্ৰহণ কৰি ইয়াৰে বস খাই জীৱন ধাৰণ কৰি তিনি পুৰুষ মৰি গোৱাৰ পিছতো নিজক অসমীয়া বুলি চিনাকি দিবলৈ টান পায়। ইও সম্পূৰ্ণ স্বাভাৱিক। তাৰ বাবে আমি বিদেশীক দোষিব নোৱাৰোঁ; আৰু তাৰ বাবে আমি তেওঁবিলাকৰ প্ৰতি ঘৃণা বা বিদ্বেষ ভাবো বথা উচিত নহয়। কাৰণ আজি আমাৰ অৱস্থা, আৰু ভাৱতৰ আন আন কেথমনান প্ৰদেশৰ অৱস্থা আমাতকৈ বহুগুণে উন্নত। উন্নত দেশৰ অধিবাসী বুলি চিনাকি দিবলৈ মানুহ মাত্ৰকে ধাউতি। কোনো কোনো অলপ-ঘতুৱাই পৃথিবীৰ আন কোনো উন্নত দেশত দুই এবছৰ থাকি অহাৰ পিছত নিজৰ জননী, জন্মভূমি আৰু মাতৃভাষাৰ উচ্চাৰণ পৰ্য্যন্ত পাহৰি পেলোৱাৰ ভাও জোৰে। ইয়াৰো কাৰণ পাকে-প্ৰকাৰে সেই একেটাই। আমি যদি কামৰূপৰ অতীত গৌৰৱ ওলোটাই আনিব পাৰোঁ, তেন্তে দেখিব, ইয়াত জন্ম গ্ৰহণ কৰা সকলৰ কথাকে নকওঁ, নতুনকৈ বিদেশৰ পৰা অহা সকলেও পূৰ্ব্বৰ নিচিনাকৈ নিজক অসমীয়া বুলি চিনাকি দিবলৈ আগ্ৰহ প্ৰকাশ কৰিব। ই একো অসম্ভৱ কথা নহয়। অতীত উলটি অহাই প্ৰকৃতিৰ ৰীতি। অতীত বৰ্ত্তমানত পৰিণত হব, কামৰূপ বা অসমৰ সীমা পুনৰ কবতোৱালৈকে বিস্তৃত হব। কামৰূপৰ অতীত গৌৰৱ-ৰবি পুনত উদয় হৈ গোটেই সভ্যজগতত পোহৰ বিলাব। আমি সেই সময়লৈ জীয়াই নাথাকো যদিও, আশা কৰিব পাৰোঁ যে আমাৰ উঠি অহা সকলে এই দিঠকৰ সপোন সত্যত পৰিণত কৰিব। কিন্তু তেওঁলোকে মনত ৰাখিব যে এই বাটত বাধা-বিঘিনি বহুত। সকলো বাধা-বিঘিনি অতিক্ৰম কৰি আগ বাঢ়িবলৈ আমাক বহুা আৰু বাইজ হইবো সহায় লাগে। অসমীয়া জাতিক ধ্বংসৰ মুখৰ পৰা উদ্ধাৰ কৰাই আমাৰ নেতাসকলৰ মুখ্য উদ্দেশ্য হব লাগে। তাৰ বিৰুদ্ধগামী সকলক নেতা হুলি স্বদেশ আৰু স্বজাতিৰ শত্ৰু বুলি ভাবিবলৈ হে আমি বাধ্য হম। গোন প্ৰথমে আমাক লাগে সভ্য জগতত অসমীয়াৰ অস্তিত্ব স্বীকৃত হবলৈ। শিক্ষা-বিস্তাৰৰ লগে লগে জাতীয় ভাব, জাতীয় বৈশিষ্ট্য বক্ষা কৰি চলাই আমাৰ বৰ্ত্তমান কৰ্ত্তব্য।

বাইজসকল! আজি আমি আত্ম-বক্ষাৰ নিমিত্তে প্ৰস্তুত হব লাগিব। অতীত-কীৰ্ত্তিৰ লগে লগে আমাৰ জাতীয় ভাব, জাতীয় উৎসৱ আদিও পৰিস্থিতিৰ সমুদ্ৰৰ অতল গৰ্ভত ঠাই লবলৈ গৈছিল। আমাৰ অকাৎ চকু মেল নোখোৱা হলে অসমৰ আন আন ঠাইৰ দশাও পশ্চিম কামৰূপৰ নিচিনা হলহেঁতেন। আজি কিন্তু আৰু সেই দিন নাই। আজি অসমৰ নগৰে নগৰে, ঘৰে

ঘৰে নতুন উৎসাহ, নিতৌ নতুন কাৰ্য্য-তালিকা। এসময়ত নগৰীয়াসকলৰ আৰ্হি লৈ গাৱঁলীয়াসকলেও বিহু উৎসৱ আদি পালন কৰিবলৈ প্ৰায় এৰি পেলাইছিল। এতিয়া কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত অৱস্থা। এতিয়া নগৰীয়াই তেওঁৰ অন্তঃসাৰশূন্য দশা অনুভৱ কৰি গাৱঁলীয়াক অনুকৰণ কৰিবলৈ শিকিছে। নগৰীয়াই আজি বুজিব পাৰিছে যে ভাৰতৰ আন আন প্ৰদেশলৈ গলে তেওঁক অসমীয়া বুলি চিনি পাবলৈ একোৱেই নাই। ঘৰত আইসকলৰ জাতীয় সাজ-পাৰ আৰু গাৱঁলীয়াসকলৰ মূৰৰ পাগুৰিয়ে হে অসমীয়াৰ চিন ৰাখিছে। বৰ্ত্তমান ইটোৰ পাছত সিটো সাজৰ ধৰণ সলোৱা যুগত অসমীয়া পাগুৰিটো মূৰত ঠাই দিয়া বেয়া জানো?

অসমৰ নগৰবিলাকত এনে দৰে বিহু উৎসৱ পতা আজি কেইবছৰমানৰ পূৰ্ব্বৰ পৰাহে আৰম্ভ হৈছে। বৰ্ত্তমান ডিব্ৰুগড়ত উৰুকাৰ দিনাৰ পৰা আমাৰ গাত বিহু লাগে। সেই দিনাৰ পৰা দুদিন বা তিনি দিন খেল-ধেমালি আৰু আইসকলৰ শিল্প প্ৰদৰ্শনী আদি পতা হয় আৰু বিহুৰ দিনাৰ পৰা ৰাতি হুঁচৰি গোৱাত নগৰৰ গণ্য-মান্যসকলৰ পৰা আৰম্ভ কৰি স্কুলীয়া ছাত্ৰ পৰ্য্যন্ত সকলোৱে অবাধে যোগ দিয়ে। ছদিনমান হুঁচৰি গাই নগৰৰ ঘৰে ঘৰে আশীৰ্ব্বাদ দি অহাৰ পিছত এদিন বিহু সন্মিলন পাতি নৃত্য-গীত, বহুৱালি, ভাৱনা আদি দেখুৱাই সকলোকে আনন্দিত কৰি সেই দিনাই বিহু উৰুৱায়। গাৱৰ ডেকা-গাভৰুসকলেও সেই দিনাই পথাৰত বিহু উৰুৱায়। শিৱসাগৰতো প্ৰায় এনে দৰেই বিহু-উৎসৱ পালন কৰা হয়। হুঁচৰিত হৰি-নাম আছে। বছৰেকৰ বিহুৰ দিনা হৰি-নাম লৈ প্ৰত্যেক গৃহস্থকে ৰাইজে ঘৰে ঘৰে আশীৰ্ব্বাদ দি নৱ বৰ্ষত নতুন উদ্যমেৰে আগ বাঢ়িবলৈ উদগণি দি অহা ৰীতি আমি বেয়া বুলিব নোৱাৰো। হুঁচৰিৰ লগে লগে বনৰীয়া সুৰত ডেকাসকলৰ বিহু নাচতো আপত্তি কৰিবলৈ একো নাই। কিন্তু সৰ্ব্বসাধাৰণৰ কাৰণে আদিম কালৰ বিহু নাচ, বিহু গীত আদি বৰ্ত্তমান সময়োপযোগী উন্নত অৱস্থালৈ আহিব লাগে বুলি মনে ধৰে। বৰপেটাত হলে বিহু উৎসৱ সম্পূৰ্ণ বেলেগ ধৰণৰ দেখিলোঁ। বঙালী বিহুৰ সময়তে পোন প্ৰথমে বৰপেটালৈ গৈ বৰ বেয়া লাগিছিল। বিহুৰ সময়ত কেনিও কতো ঢোলৰ মাত নাই, পেঁপাৰ সুৰ নাই, পথাৰত গাৱঁলীয়া ডেকাৰ প্ৰাণৰ পৰা ওলোৱা বতাহত উৰি অহা বনৰীয়া সুৰ নাই, জেতুকা নাই, কপৌ ফুল নাই,—মই একেবাৰে নিৰাশ হলোঁ। মনতে ভাবিছিলোঁ, চেনেহী অসমক কৰবাতে এৰি থৈ বিদেশতে সোমালোঁহি নে কি? কিন্তু বিহু যিমানে ওচৰ চাপি আহিল, চাৰিও ফালে নগৰত আৰু গাওঁবিলাকত তাল, খোল আৰু মৃদঙ্গৰ চেৰে চেৰে বিহু নামৰ ঠাইত হৰি-নামৰ ধ্বনি শুনিবলৈ পালোঁ। বিহুৰ দিনা গাৱেঁ গাৱেঁ হৰি-নাম আৰু নগৰত হৰি-নামৰ লগে লগে নাওখেল আদি। সাত বিহুৰ দিনাও কীৰ্ত্তন ঘৰত অসংখ্য নৰ-নাৰী লগ খাই পুনৰ সেই হৰি-নাম। মাঘৰ বিহুৰ সময়ত ডক্ৰেশ্বৰ দেৱালয়ত সহস্ৰ গোপিনী সমাগম আৰু হৰি-নামৰ চেৰে চেৰে আইসকলৰ নৃত্যভঙ্গীৰ দৃশ্য মই জীৱনত পাহৰিব নোৱাৰোঁ। এইবিলাক দেখি-শুনি আমাৰ মনত যি অপূৰ্ব্ব ভাৱৰ ঢৌৱে খলকনি লগাইছিল, তাৰে কিছু "বৰপেটা" নামে কবিতা এটিত প্ৰকাশ কৰি "আৱাহন"ত ছপোৱা হৈছিল। আমি বৰপেটাক হৰি-নাম এৰি বিহু-নাম ধৰিবলৈ কবৰ সত নাই, সাধ্যও নাই। বৰপেটাৰ বৈশিষ্ট্য চিৰঞ্জীৱী হৈ গোটেই অসম ধুৱাই পেলাওক। মহাপুৰুষৰ নামধৰ্ম্ম অসমৰ ঘৰে ঘৰে প্ৰচাৰিত হওক, পৱিত্ৰ অসমভূমি পবিত্ৰ কৰক। বৰপেটাতো হৰি-নামৰ বাহিৰে বিহুৰ নাওখেল আদিত মুছলমানসকলেও যোগ দিয়ে। হিন্দুৱে হিন্দু মতে আৰু মুছলমানে মুছলমানী মতে গীত-পদ গাই একেলগে নাও বোৱা দৃশ্য অতি অপূৰ্ব্ব!

আমাৰ জাতীয় উৎসৱৰ ভিতৰত মহাপুৰুষসকলৰ তিথি মহোৎসৱ, জয়মতী উৎসৱ, লাচিত উৎসৱ আৰু বিহু উৎসৱেই লেখত লব লগীয়া। দোলযাত্ৰাও আমাৰ ধৰ্ম্ম সম্বন্ধীয় জাতীয় উৎসৱ, কিন্তু বৰপেটাৰ বাহিৰে আন ঠাইত এই উৎসৱ যথানিয়মে পালন কৰা দেখা নাই। ইয়াৰো কাৰণ আমাৰ ওপৰত বিদেশৰ আমদানি আন কিছুমান উৎসৱৰ প্ৰাধান্য। কোনো কোনো ঠাইত এই উৎসৱ উদ্দেশ্যবিহীন ধেমালিত পৰিণত হৈছে,

আৰু ঠায়ে ঠায়ে উৎসৱ আৰু ধৰ্ম্মৰ নামত অনাচাৰ-অত্যাচাৰকো প্ৰশ্ৰয় দিয়া দেখা যায়। দোলযাত্ৰা উৎসৱ নিয়ম মতে পালন কৰিবৰ ইচ্ছা কৰিলে বৰপেটাকে অনুকৰণ কৰিব লাগে। আমি বৰ্ত্তমান সময়ত পালন কৰা জাতীয় উৎসৱবিলাকৰ ভিতৰত জয়মতী উৎসৱেই পুৰণি। এই উৎসৱ পোন প্ৰথমে শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াকে আদি কৰি শিৱসাগৰীয়া ডেকাসকলৰ যত্নত জয়সাগৰ পুখুৰী পাৰত পতা হয়; কিন্তু মহিলা সমাজে কাৰ্য্যভাৰ হাতত নোলোৱালৈকে উৎসৱ কেৱল নামত হে আছিল। বৰ্ত্তমান সময়ত শিৱসাগৰ মহিলা সমাজৰ যত্নত জয়সাগৰ পুখুৰী পাৰত প্ৰকাণ্ড ৰভা দি এই উৎসৱ পালন কৰা হয়, আৰু তাত সহস্ৰ নৰ-নাৰী গোট খাই উৎসৱৰ কাৰ্য্য সমাধা কৰে। সন্ধিয়া নগৰৰ নাট-মন্দিৰত জয়মতী নাটকৰ ভাৱনা আদি পাতে। মোৰ মনেৰে তেজপুৰতো জয়মতী উৎসৱৰ ঘাই কাম সভা-সমিতি আদি বাণ মঞ্চত নাপাতি খোলা ঠাইত পাতি সকলোকে যোগ দিবলৈ সুবিধা দিয়া উচিত। লৰা-ছোৱালীৰ আবৃত্তি আৰু নৃত্য-গীত আদি সন্ধিয়া বাণ মঞ্চত পাতিব পাৰি।

সি যি হক, বিহু সন্মিলন আমাৰ জাতীয় উৎসৱ। ধৰ্ম্মৰ লগত বা ৰাজনীতিৰ লগত ইয়াৰ সম্বন্ধ নাই। অসমীয়া মাত্ৰেই জাতিবৰ্ণ নিৰ্ব্বিশেষে ইয়াত যোগ দিব পাৰে। এনেবিলাক জাতীয় উৎসৱ পালনৰ দ্বাৰা জাতীয় বৈশিষ্ট্য ৰক্ষা আৰু আমাৰ লুপ্তপ্ৰায় শিল্প কলা আদি উদ্ধাৰৰ চেষ্টাৰ লগে লগে আমাৰ লৰা-ছোৱালীবিলাকক শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনতো সহায় কৰা হৈছে। আমি স্কুলত পঢ়া দিনত এইবিলাক উৎসৱৰ নাম-গোন্ধেই নাছিল। তেতিয়া আমি বৰগীত, দেহবিচাৰৰ গীত আদিৰ নাম হে শুনিছিলোঁ; কিন্তু এইবিলাক খায় নে কাণত পিন্ধে গমকে নাপাইছিলোঁ। এতিয়া কিন্তু অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে কণ কণ লৰা-ছোৱালীয়ে বিশেষকৈ আইদেউসকলে হাৰমনিয়ম, চেতাৰ আদিৰ লগত নিখুঁতকৈ সুৰ-তাল মিলাই বৰগীত, অসমীয়া সুৰৰ গীত আদি গোৱা দেখি শুনি তধা লাগি চাই থাকোঁ; আৰু মনে মনে ভাবোঁ, সুবিধা পালে আমাৰ ছোৱালীয়ে কি কৰিব নোৱাৰে!

আমাৰ অৱহেলাতে আমাৰ নন্দন কাননৰ চুকে কোণে কত সুগন্ধি ফুল বনতে ফুলি বনতে মাৰ গল। গোলাঘাটৰ মাধৈমালতী স্বৰ্গজ্যোতিক আমাৰ জ্যোতি মইনাই বিচাৰি নোপোৱা হলে বন ফুল বনতে মৰহি গলহেঁতেন। সিদিনা আপোনাসকলৰ জয়মতী উৎসৱত কণ কণ আইদেউহঁতৰ, বিশেষকৈ ডালিমীৰ ভাও লোৱা শ্ৰীমতী মনোৰমা শইকীয়া নামৰ ছোৱালীটিৰ, তালে তালে অঙ্গ-ভঙ্গীৰে সৈতে নৃত্য-গীত আৰু ভাব দেখি শোণিতপুৰৰ চিত্ৰলেখা পুনৰ উলটি অহা যেন লাগিল। শোণিত-পুৰীয়া সঙ্গীতাচাৰ্য্যসকল বিশেষকৈ আমাৰ সঙ্গীতবিশাৰদ ডেকা শ্ৰীযুত বিষ্ণুপ্ৰসাদ ৰাভাৰ যত্নত হে সৰু ছোৱালী-বিলাকৰ অভিনয় এনে সৰ্ব্বাঙ্গসুন্দৰ হোৱা সম্ভৱ হল। তাৰ বাবে তেখেতসকলকো নশলাগি নোৱাৰোঁ। সেই দিনা মহিলা সমিতিৰ সম্পাদিকাকে আদি কৰি কেবা গৰাকীও ভদ্ৰ মহিলাই অসংখ্য ৰাইজৰ সমুখত অবিচলিত ভাবে বাণ মঞ্চত থিয় হৈ বক্তৃতা দিয়া দেখি বুজিলো যে তেজপুৰৰ মহিলা সমাজ অসমৰ আন আন ঠাইৰ মহিলা সমাজতকৈ কোনো গুণে পিছ পৰা নহয়।

অসমত স্ত্ৰী শিক্ষা বিস্তাৰৰ অৰ্থে যত্ন লোৱা বেছি বছৰৰ কথা নহয়। ইয়াৰ ভিতৰতে আমাৰ মহিলা সমাজ সকলো বিষয়তে যিমান দূৰ আগ বাঢ়িছে তালৈ চাই সংখ্যা আৰু সময়ৰ অনুপাতে ভাৰতৰ আন আন ঠাইৰ মহিলা সমাজক চেৰ পেলাইছে বুলিব পাৰি। বৰ্ত্তমান আমাৰ সমাজত স্ত্ৰী-শিক্ষা বিৰোধী কোনো নাই যেন লাগে, কিন্তু আইদেউসকলৰ কেনে ধৰণৰ উচ্চ শিক্ষা হব লাগে সেই বিষয়ে মতভেদ আছে, আৰু আমাৰ মনেৰে থকাও উচিত, কাৰণ ঈশ্বৰে স্ত্ৰী-পুৰুষক একে সাঁচতে গঢ়া নাই।

আপোনাসকলৰ বিহু সন্মিলনৰ কাৰ্য্য-বিৱৰণ আৰু নিয়মাদি চাই বুজিব পাৰিছো যে আঠ বছৰমানৰ পূৰ্ব্বে শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ দেৱৰ যত্নত তেজপুৰত প্ৰথমে বিহু সন্মিলন পতা হৈছিল, যদিও ১৮৫৪ শকৰ পৰা হে ই ৰাইজৰ চকুত পৰা অৱস্থালৈ আহিছে আৰু আপোনাসকলেও সেই মহৎ আদৰ্শ আগত লৈয়েই আগ

বাড়িবলৈ যত্ন কৰিছে। আপোনাসকলৰ প্ৰথম উদ্দেশ্য, বৰ্ত্তমান যুগৰ লগত সামঞ্জস্য ৰাখি জাতীয় ভাব আৰু আদৰ্শৰ বিশিষ্টতা ৰক্ষা কৰি চলা; দ্বিতীয় উদ্দেশ্য, যিবিলাক গৌৰাণিক ৰং-ধেমালি, আমোদ-প্ৰমোদ, নৃত্য-গীত, বাদ্য যন্ত্ৰ আৰু শিল্প আদি আছে তাক লোপ পাবলৈ নিদি তাৰ উৎকৰ্ষ সাধন কৰা; তৃতীয় উদ্দেশ্য, জাতিবৰ্ণনিৰ্ব্বিশেষে দেশবাসীয়ে যাতে জাতীয় ভাবত অনুপ্ৰাণিত হৈ গাঢ়ে গাঢ়ে, নগৰে নগৰে বিহু উৎসৱ পালন কৰে তাৰ চেষ্টা কৰা। আমি আশা কৰোঁ অসমৰ আন আন ঠাইতো এই উদ্দেশ্যবোৰ বিহু-উৎসৱ পতা হৈছে। কাৰ্য্য-বিৱৰণৰ পৰা বুজিব পাৰিলোঁ, তেজপুৰৰ অসমীয়া সমাজৰ বৰ্ত্তমান সকলো ৰাজহুৱা কামতে আগধুৱা প্ৰধান নেতা শ্ৰীযুক্ত ৰাধিকা কান্ত দাস ডাঙৰীয়েই এই নৱ পাতনিৰ উদ্গাতা। বৰ্ত্তমান বছৰতো তেখেত কাৰ্য্যকৰি সমিতিৰ সভাশ্ৰেণীভুক্ত হৈ সকলো খেল-ধেমালি আদিত উপস্থিত থাকি উঠি অহা সকলক উদ্যণি দিবলৈ এৰা নাই। মোৰো ছবছৰৰ ভিতৰত শ্ৰীযুত মহিমচন্দ্ৰ সিংহ, শ্ৰীযুত কৃষ্ণদত্ত হাজৰিকা, শ্ৰীযুত দুলালচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীযুত চন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীযুত পূৰ্ণনাৰায়ণ সিংহকে আদি কৰি উৎসাহী ডেকাসকলৰ যত্নত তেজপুৰত এই বিহু সন্মিলন বৰ্ত্তমানৰ টনকিয়াল অৱস্থালৈ আহিল। এইবাৰৰ কাৰ্য্যকৰি সমিতিত মহিলা সমিতিৰ সম্পাদিকা শ্ৰীযুতা চন্দ্ৰবালা পটগীয়া আইদেউ আৰু সঙ্গীতাচাৰ্য্য শ্ৰীযুত বিষ্ণুপ্ৰসাদ ৰাভা দেৱ লগ লগাত সোণত সুৰগা মিলিল। এনে এগন দীঘলীয়া কাৰ্য্য-তালিকা অনুসৰি সকলো কাম সুকলমে সমাধা কৰাৰ বাবে কাৰ্য্যকৰি সমিতিৰ সভাসকল বিশেষকৈ উৎসাহী সম্পাদক শ্ৰীযুত সূর্য্যকান্ত বৰা দেৱ আমাৰ শলাগৰ পাত্ৰ।

সামৰণিত মুঠতে ইমানকৈ কণ্ড তেজপুৰত তিনি মাহ থাকি আৰু বিহু উৎসৱৰ প্ৰায় সকলোবিলাক খেল-ধেমালি, কলা-প্ৰতিযোগিতা আদিত দৰ্শক স্বৰূপে উপস্থিত থাকি বুজিলো যে তেজপুৰৰ হাৱাপানীৰ ওপতে হওক নাইবা আন কোনো কাৰণতে হওক ইয়াৰ লৰাবিলাক শাস্ত-শিষ্ট প্ৰকৃতিৰ, আৰু আইদেউসকল উৎসাহী আৰু সকলো বিষয়তে পাকৈত। খেল-ধেমালিৰ ভিতৰত ছোৱালী-বিলাকৰ গেণ্ড-লৰ (গেণ্ডত উঠি লৰ মৰা প্ৰতিযোগিতা) উল্লেখযোগ্য; কিন্তু একো আচৰিত নহয়, কাৰণ মিনিমাগোন অসম গাভৰুৰে ঘোৱাত উঠি শক্তৰ সমুখত বুক দিছিল। বৰ্ত্তমান অৱস্থাতো আমাৰ ছোৱালীৰ ওপৰ পৰ্য্যন্ত বগোৱা, ঘোৱাত উঠা, সাতুৰি নৈ পাৰ হোৱা বা গেণ্ডত উঠি লৰ মৰা আদি কাম সাধাৰণ। আমাৰ ডেকাসকলে পাহৰি নাযাব যে অসম মাতৃয়ে ওপাৰ পাতলি বহা পাঁচ মেখেলাত বনগুটি লাগিলে নাইবা বোকাত নুসুবি-পুহুবি হলেও ভবিৰ সক গাঁঠি দুলিয়ায় আৰু পিছফৈও উনটি নাহে। সেই মাতৃৰ সন্তানক আত্ম-মৰ্য্যাদা ৰক্ষা কৰি কৰ্ম্মক্ষেত্ৰত আগধুৱা হবলৈ উদ্বগণি দিয়া বাছনা মাগোন আৰু তেনে মাতৃৰ সন্তানৰ কোনো সংকীৰ্ণ সাধনৰ অৰ্থে আগ বাঢ়িবলৈ লাজকুৰীয়া বা অপা-পিছা ভাব অস্বাভাৱিক বুলিব লাগিব। *

* ১৮৫৭ শকৰ তেজপুৰ বিহু সন্মিলনৰ সভাপতিৰ অভিভাষণ।



নোবেল সাহিত্যৰ চমু বিৱৰণ

—শ্ৰীযুতা দীপিকা বৰুৱা

ডিনামাইট আবিষ্কাৰক বিখ্যাত বৈজ্ঞানিক এলফ্ৰেড্ নোবেলৰ (Alfred Nobel) মৃত্যু হয় ১৮৯৬ খ্ৰীষ্টাব্দৰ ১০ ডিচেম্বৰত। মৃত্যুৰ আগতে তেওঁ ২৩,২৫,০০,০০০ টকা ট্ৰষ্টীৰ হাতত দৈ যায় আৰু সেই টকাৰ এই দৰে উইল কৰি যায় যে সেই টকাৰ উপাৰ্জ্জনৰ পৰা বছৰি একোটাকৈ (১) সাহিত্য (২) শান্তি (৩) বসায়ণ (৪) জড়-বিজ্ঞান (৫) শৰীৰ আৰু শৰীৰ বিজ্ঞান এই পাঁচোটা বিষয়ত পুৰস্কাৰ দিয়া হব। এই পুৰস্কাৰৰ নামেই নোবেল প্ৰাইজ। ১৯০১ খ্ৰীষ্টাব্দৰ পৰা এই পুৰস্কাৰ দিয়া হৈছে।

নোবেল পুৰস্কাৰ পোৱা সাহিত্যিকসকলৰ নাম :—

১৯০১—ফ্ৰেঞ্চ একাডেমীৰ বেৰী ফ্ৰেণ্ডকইচ প্ৰধোম (Rane Francois Sully Prudhomme)। ১৯০২—বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপক থিয়ডৰ মমচেন্ (Theodor Mommsen)। ১৯০৩—বোৰ্গ্চন বৰ্ণস্তান Bjornson Bjornstjerne)। ১৯০৪—এই বছৰ দুজনক দিয়া হয়; পুৰস্কাৰৰ মূল্য সমানে ভগাই দিয়া হয়। (১) ফ্ৰিডেৰী মিষ্ট্ৰেল (Frederic Mistral) আৰু (২) জো ইকাগাৰে (Jose Echegaray)। ১৯০৫—হেনৰীক্ সীনকিউইচ (Henryk Sienkiewich)। ১৯০৬—যোচোৱে কাৰ্দুচী (Guiosue Carduci)। ১৯০৭—কডিয়াৰ্ড কিপলিং (Rudyard Kipling) ১৯০৮—জেনা বিশ্ব-বিদ্যালয়ৰ অধ্যাপক ৰিউডলফ্ ইউকেন (Rudolf Eucken)। ১৯০৯—চেলমা লাগেৰলফ্ (Selma Lagerlof)। ১৯১০—পল হেচী (Paul Heyse)। ১৯১১—মৰিচ মেটাৰলিঙ্ক (Maurice Materlinck) ১৯১২—গেৰহাৰ্ট হাউপেমন (Gerhart Hauptman) ১৯১৩—ৰবীন্দ্ৰ নাথ ঠাকুৰ (Rabindranath Tagore)। ১৯১৪—এই বছৰ সাহিত্যৰ পুৰস্কাৰ দিয়া নহল। ১৯১৫—ৰোমা ৰোলাঁ (Romain Rolland)। পুৰস্কাৰ দিয়া হৈছিল ১৯১৬ চনত হে। ১৯১৬—ভাৰ্গাৰ ভন্ হিডেনষ্টাম্ (Verner Von Heidenstam)। ১৯১৭—এই বছৰো দুজনক সমানে ভগাই দিয়া হয়। (১) কাৰ্ল গেলিৰূপ (Karl Gellirup) আৰু (২) হেনৰিক পণ্টপিডান (Henryk Pontoppidan)। ১৯১৮—এই বছৰ কাকো দিয়া নহয়। ১৯১৯—কাৰ্ল স্পিটেলাৰ (Carl Spitteler)। পুৰস্কাৰ দিয়া হয় ১৯২০ চনত হে। ১৯২০—ন্যুট হামচুন্ (Knut Hamsun)। ১৯২১—আনাটোল ফ্ৰান্স (Anatole France)। ১৯২২—জেচিন্টো বেনাভান্তে (Jacinto Benevante)। ১৯২৩—উইলিয়েম বাটলাৰ ইয়েটচ (William Butler Yeats)। ১৯২৪—ৰাডিস্লাভ চেণ্ট ৰেমণ্ট (Valdislav St. Reymont)। ১৯২৫—জৰ্জ্জ বাৰ্ণাড শ (George Bernard Shaw)। ১৯২৬—গ্ৰেজিয়া ডেলেডা (Grazia Deledda)। ১৯২৭—হেনৰী বাৰ্গচ (Henrie Bergson)। পুৰস্কাৰ দিয়া হয় ১৯২৮ চনত হে। ১৯২৮ - চিগ্ৰিড্ আঁণ্ডচেট্ (Sigrid Undset)। ১৯২৯—টমাচ মেন্ (Thomas Mann)। ১৯৩০—চিন্ক্লিয়াৰ লুইচ (Sinclar Lewis)। ১৯৩১—জন মেচফিল্ড (John Masfield)। ১৯৩২—জন গালচওৱাৰ্ডি (John Galsworthy)। ১৯৩৩—আইভান বুনিন (Ivan Bunin)। ১৯৩৪—লুইগি পিৰাণ্ডেলো (Luigi Pirandello)।

লুইগি পিৰাণ্ডেলো :—প্ৰসিদ্ধ অভিনেতা, নাট্যকাৰ আৰু ঔপন্যাসিক লুইগি পিৰাণ্ডেলোৰ জন্ম হয় ১৮৬৭ চনত চিচিলিৰ গিৰগেণ্টি (Girgenti) নামৰ ঠাইত। ছাত্ৰ অৱস্থাৰ পৰাই তেওঁৰ সাহিত্যলৈ অনুৰাগ জন্মে আৰু ওঠৰ বছৰ বয়সতেই তেওঁৰ কবিতাৰ কিতাপ প্ৰথমে প্ৰকাশ হয়। উনৈশ বছৰ বয়সত তেওঁ বোন মগধলৈ আহে। তাৰ পিছত জাৰ্ম্মানীৰ বন (Bonn) বিশ্ববিদ্যালয়ৰ পৰা

দৰ্শন শাস্ত্ৰত গ্ৰাজুৱেট হৈ বোমবৈলে উলাট আহে। তেতিয়া তেওঁ ছোৱালীৰ নৰ্মাল কলেজ এটাত অধ্যাপকৰ পদত নিযুক্ত হয়। এই কামতে তেওঁ ত্ৰিশ বছৰ কটায়।

যেতিয়া তেওঁৰ বয়স তেইশ, তেওঁৰ বন্ধু এজনে উপন্যাস লিখিবলৈ তেওঁক উৎসাহ দিয়ে আৰু দুয়োজন-মানৰ ভিতৰতে তেওঁৰ বহুত চুটি গল্প আৰু আন আন প্ৰবন্ধাদি প্ৰকাশ হয়। ইয়াৰ বাহিৰেও তিনিখন উপন্যাসো তেওঁ লিখে। ১৯০৪ চনত তেওঁৰ The late Mathias Pascal (It Mattias Pascal) বোলা বিখ্যাত উপন্যাস-খনি প্ৰকাশিত হয়। বহুত দিনলৈকে কিন্তু কিতাপ-খনিয়ে পঢ়ুৱাই সমাজৰ আদৰ পোৱা নাছিল। আঠ বছৰত মুঠে দহোজাৰখন কিতাপ হে বিক্ৰী হৈছিল। লাহে লাহে বঙ্গমঞ্চত যেতিয়া তেওঁৰ নাটক অভিনীত হবলৈ ধৰিলে তেতিয়া হে তেওঁৰ নাম চাৰিওফালে জনাজাত হয়। তেওঁৰ কিতাপৰ বিক্ৰীও বাঢ়ি যায় আৰু এবছৰৰ ভিতৰতে এক লাখতকৈয়ো বেছি বিক্ৰী হয়।

এই উপন্যাসখনিত এজন মানুহে তেওঁৰ জীৱন নতুনকৈ আৰম্ভ কৰিবলৈ কেইবা বাৰো চেষ্টা কৰিছিল বেলেগ বেলেগ নাম লৈ আৰু বেলেগ বেলেগ কাৰ্য্যৰ দ্বাৰা। কিন্তু প্ৰত্যেক বাৰেই তেওঁ বিফল হয়।

১৯১২ চনত যেতিয়া লুইগিৰ বয়স পঁচচল্লিশ, নিনা মাটোগিলিঙ (Nina Martoglio) নামৰ নাট্যকাৰ বন্ধু এজনে, তেওঁৰ "লাঁ মোচাঁ" বোলা সৰু গল্পটো একাঙ্ক নাটকৰ আকাৰত লিখিবলৈ অনুৰোধ কৰে। এয়েই তেওঁৰ নাটক লিখাৰ প্ৰাৰম্ভন। ১৯১৩ চনত তেওঁৰ "চে নচ কোঁচ" নামৰ নাটকখন মিলানত অভিনীত হয় আৰু এই নাটকখনৰ সফলতাতে তেওঁক নাট্যকাৰ হিচাপে জনাজাত কৰে। মহাযুদ্ধৰ সময়ত তেওঁ বাহিৰ জগতৰ সৈতে সম্বন্ধ এৰি নাটক লিখাত ব্যস্ত থাকে। তেওঁৰ একমাত্ৰ পুত্ৰও যুদ্ধলৈ গৈছিল, কিন্তু তেওঁ নাটক লিখি বোম নগৰতে অকলশৰে দিন কেইটা কটাইছিল।

১৯২১ চনত "Six characters in search of an author" বোলা নাটকখন বোম নগৰত অভিনীত হয় আৰু এই নাটকখনিয়েই তেওঁৰ প্ৰতিভাৰ চিনাকি দিয়ে। অভিনয়ৰ প্ৰথম দিনা নাট-ঘৰ মানুহেৰে উপচি পৰিছিল। অভিনয় দেখি দৰ্শকৰ এদলে খুব প্ৰশংসা কৰিলে আৰু কিছুমানে ভীষণ তিৰস্কাৰ কৰিলে। নাটকখন এনে ধৰণৰ :—এটা ৰঙ্গমঞ্চ। তেতিয়াও ভালকৈ সুসজ্জিত হোৱা নাই। অভিনয় কৰিবলৈ এদল অভিনেতা আৰু অভিনেত্ৰী উপস্থিত হৈছেহি, ঠিক এনে সময়তে আৰু ছজন আহি উপস্থিত হয়হি। তেওঁলোকে আগেয়ে কেতিয়াও কোনো ৰঙ্গমঞ্চত ভাও দিয়া নাই। তেওঁলোকৰ ভিতৰত যি স্বাভাৱিক নাটক অলক্ষিত ভাৱে আছে, তাকে ভাষা দিবলৈ নাট্যকাৰক কয়। এই ছজনৰ কহিনী লৈয়েই নাটকখন লিখা। ইটালীৰ বাহিৰে এই নাটকখন প্ৰথমতে লণ্ডনত অভিনীত হয়।

১৯২২ চনত তেওঁৰ Henry IV (Enrico IV) বোলা নাটকখন প্ৰকাশিত হয়। এই নাটকখনত এজন মানুহে দৈবদুৰ্বিপাকত পৰি উন্মাদ হয়। কিছু দিনৰ পিছত যেতিয়া তেওঁৰ বিবেচনা শক্তি ঘুৰি আহিল তেতিয়া তেওঁ দেখিলে যে উন্মাদ হৈ থকা দিন কেইটাৰ ভিতৰতে জগতে তেওঁক পিছ পেলাই বহুত আগ বাঢ়িল। তেওঁৰ আৰু জগতত স্থান নাইকিয়া হে পৰিল। এই বুলি ভাবি তেওঁ নিজকে উন্মাদ বুলিয়েই চিনাকি দি সংসাৰৰ সৌতত এৰি দিয়ে। ১৯২৪ চনত এইখন নিউ-ইয়ৰ্কত অভিনীত হয়। তেতিয়া ইয়াৰ নাম দিয়া হৈছিল "Living Mask"। ১৯২৫ চনত পিৰাণ্ডেলোৱে ৰোমত নিজৰ ৰঙ্গমঞ্চ এটা প্ৰতিষ্ঠা কৰে আৰু এটা অভিনয়ৰ দল গঠন কৰে। এই দল লৈ তেওঁ গৰমৰ দিনত ইউৰোপৰ আন আন দেশবিদাকত অভিনয় কৰি ফুৰে। এদিন আছিল তেওঁ শিক্ষক আৰু আজি তেওঁ এজন জগত-বিখ্যাত অভিনেতা। অৱশ্যে শিক্ষকতা এতিয়াও কৰিব লাগে তেওঁৰ অভিনেতা আৰু অভিনেত্ৰীবিলাকৰ সৈতে ৰূপ-শিল্পী হিচাপে। এতিয়া তেওঁৰ নাটক লিখা যতে ততে চলে, কেতিয়াবা গাড়ীত ফুৰোঁতে, কেতিয়াবা হোটেলত থাকোঁতে। আজিকালি তেওঁ প্ৰতি মাহেই অভিনয়ৰ উপলক্ষে জাৰ্মানী, ফ্ৰান্স আদি দেশবোৰলৈ উৰা জাহাজেৰে গৈ থাকে। এতিয়া তেওঁৰ বয়স সাতষষ্টি।

ছোৱালীৰ গা-ধন

গল্প—

—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা

ঠাই ডোখৰ যদিও আমাৰ দেশতে আৰু আমাৰ মিলাতেই, তথাপি মোৰ নিমিত্তে সেয়ে অচিনা আছিল। ••• মাঘ মাহ, জাৰ কালি। জাৰো আকৌ ঠেঁটুৱাই ধৰা। এই কেইদিন কুঁৱলীৰ যি প্ৰকোপ, দিনটোত দুপৰীয়া বাৰমান বজাৰ পৰা প্ৰায় চাৰিমান বজালৈকেহে কোমল ৰ'দৰ বেলি দেখিবলৈ পোৱা হয়। কাম-কাজৰ মানুহৰ কথা কব নোৱাৰো; আৰু জানিবলৈও ইচ্ছা কৰা নাছিলো, এনে দাঁতত-দাঁত লগা জাৰত কাম কৰা মানুহবিলাকে কামকেই কৰিছিল নে, জুইশাল'ত বহি জুইকে পুৱাইছিল! কিন্তু, এইটো বেছ জানো, মোৰ নিচিনা ধনীৰ লৰাবিলাকে গৰম কাপোৰৰ গৰম সাজ পিন্ধি, দিনটোৰ সৰহভাগ সময়, নিজৰ নিজৰ বাছক-ৰনীয়া ঘৰৰ ভিতৰত "ষ্টোভৰ" কাষত বহি ওচৰতে টিপয়খনত থন দিয়েক খৰৰ কাগজ বা কিতাপ লৈ, চাহৰ পিয়লাত্তে কিম্বা "জনি-ওৱাকাৰ" আৰু গ্লাছৰে দুই-এজন প্ৰিয়-বন্ধুৰ সৈতে জাৰ খেদাইছিল। ••• মই কিন্তু নিজে দুই নে শাস্ত্ৰ কৰ নোৱাৰো, দেউতাৰ ভাষি আৰু আইৰ বাধা নেমানি, হাতত বন্দুকটো লৈ, ঘাৰিয়ে ঘাৰিয়ে পথুমা—হাইঠা বিচাৰি ফুৰিছো। ••• সেইদিনা দুমুহীয়া টেঙা বেঙা বেপাৰীটোয়ে কলে সিহঁতৰ ওচৰত হেনো বহুত সুগবী-পহু আছে। আমবা গছৰ তলত অলপ সময় বহিলেই চিকাব পাবলৈ বেছি পলম নহয়। নিচেই পুৱাতে, দুপৰীয়া, আবেলি আৰু গধূলি সুগবী পহুৰে আমবাৰ তলত আমবা থাবলৈ আছে। কিন্তু; কব নোৱাৰো, কথাটো শুনিছেই, মনটো উত্তাল হ'ল।

•••• পিছদিনা প্ৰায় দুপৰতে সুমধিয়া টেঙাৰ বেপাৰীটোৰ চোতালত থিয় হ'লোগৈ। সিহঁতৰ গাৱতেই আমাৰ ঘৰৰ পৰা আঠ মাইলমান হব। চাইকেলত উঠি যাওতে প্ৰায় আধা ঘণ্টামানহে সময় লাগিল। সেই গাওখনৰ কথা যদিও জানো, আগেয়ে তালৈ যোৱা নাছিলো।

•••• মোক দেখি বেপাৰীটোৱে আধে-বেধে, সিহঁতৰ ঘৰৰ পৰা এমাইল মান দূৰৈত, এখন হাবিৰ মাজেদি লুঙ লুঙীয়া বাটে অলপ দূৰ সুমুৱাই নি এজোপা আমবা গছ দেখুৱাই দিলেগৈ। সঁচাকৈয়ে আমি হাবিত সোমাওতেই কেইবা ফালেও সুগবী পহুৰে "হাও-হাও"কৈ কন্দা শুনিবলৈ পালো। বেপাৰীক বহুত ধন্যবাদ দি, মই অকলৈ গছব তলতে জালী এটা দি বহি পবিলো। চাইকেলখন বেপাৰীব ঘবতে থৈ আহিছো।

•••• থিবিক্ কবিলেই চক্ খাই কেউফালে চাওঁ, আমবা থাবলৈ গছ আছিছে নে কি? আকৌ অলপ দূৰৈত পহুৰে কন্দা শুনো। ভাবো, সেয়া আছিছে—ইয়াকৈযে আমবা থাবলৈ এতিয়াই আহিব। এই দৰেই পহু আহিছে, পহু আহিব এতিয়া,—ইত্যাদি সপোন দেখি থাকোতে, কেতিয়া যে গধূলিৰ অন্ধকাৰ হ'ল, গাত উমানেই নেপালো। ভোক আৰু মহব কামোৰত যেতিয়া ঘৰলৈ যাব বুলি জ্ঞান হ'ল; কেউফালে চাই দেখো অন্ধকাৰ। মই সোমাই অহা বাটটো কেনি, এতিয়া তাকেই বিচাৰি নোপোৱা হ'লো। ••• যেনিয়ে চাওঁ, তেনিয়ে হাবি; যেনিয়েই যাওঁ, তেনিয়েই গছত বিহা লতাত উজুটি খাওঁ। এবাৰ ভাবিলো, গছৰ তলতেই থাকো, কিন্তু জাৰ আৰু ভোকত থাকিবলৈ সাহ নহ'ল। মনত বল বাঢ়ি ইগছত খুন্দা খাই, সি গছত ঠেলা মাৰি, খপিয়াই খপিয়াই মুকলিলৈ বুলি বন্দুকটোৰেই লাগুটি বাই-বাই আহিবলৈ ধবিলো। কিমান

আহিছো, কব নোৱাৰো—কেনি আহিছো, কব নোৱাৰোঁ। মই কিন্তু গৈয়ে আছো। বনৰীয়া চৰাই-চিৰ্কটিবোৰে মোৰ উমান পাই, জিকাৰ খাই চিঞৰিবলৈ ধৰিছে। মই কিন্তু সেই দিনা বুৰঞ্জীৰ "লতা-কটা ৰণৰ" সেনাপতি হলো বুলিহে মনে-মনে গৌৰৱ অনুভৱ কৰিছিলো। যদিও এই ৰণৰ বিজয়িনী মণিপুৰী কুৱঁৰীৰ তাত সন্ধান নাছিল।

* * * কিমান ৰাতি হ'ল কব নোৱাৰো। এবাৰ হঠাৎ মুকলিত ওলালোহি। দূৰৈত দেখিলো, এটি চাকিৰ পোহৰ! তালৈকে পোনাই গ'লো।

* * * *

"দূৰৈৰ পৰ্ব্বত, ৰাতিৰ জুই, তাক নেখেদি থাকিবা শুই" এই নীতি বচন ফাকি মোৰ গাত আজি অলপ অচৰপকৈ খাটিছিল। হাবিৰ যি দাঁতিয়ে মই ওলাইছিলো, তাৰ পৰা প্ৰায় তিনি মাইল মান বহল পথাৰখনৰ সিমূৰে চাকিৰ পোহৰ দেখিছিলো। চাকিৰ পোহৰ দেখিয়েই মনতে ভাবিছিলো—'বাট বেছি দূৰ নহয়, বোধকৰো বিঙ এটাৰ বাট হব। সৌৱা পাম, সৌৱা পাম।" এই ভাবি গৈয়ে আছো, অথচ বাটৰ অন্ত নপৰে। এবাৰ ভাবিলো, বহল পথাৰখনৰ মাজত, মোক পকৱাই পালেনে কি? একে ঠাইতে ঘূৰি আছো নে কি?—আকৌ ততালিকে ভাবিলো, পকৱাই পোৱা মানুহেতো নিজে কব নোৱাৰে, মোক পকৱাই পাইছে বুলি। মোক পকৱাই চকৱাই পোৱা নাই, বাটহে বহুত।

আৰু কিছুদূৰ আগ বাঢ়িলো—এনেতে, আৰু কেইবাটাও চাকিৰ পোহৰ দেখিলো। গাৱঁত কুকুৰৰ ভুক্-ভুকনিও শুনিবলৈ পালো।

মুখলৈ পানী আহিল, মানুহৰ ওচৰ পালোহি।

ভোকতকৈও পিয়াহত মোৰ ডিঙি শুকাই গৈছে। আচহুৱা বাটত উজুটিৰ ওপৰত উজুটি খাই ভৰিয়েও এপালি পাইছে!

* * * *

গাওখনৰ মূৰত জয়ে-জয়ে যি ঘৰ মানুহৰ তাত সোমালোগৈ, শুবলৈ বুলি সিহঁতে ঠিক দুৱাৰত ডাং দিছে, এনেতে মই "গিৰিহঁত কোন আছা!" বুলি মাত দিলোগৈ। মই প্ৰথম আৰু দ্বিতীয় সম্বোধনত উত্তৰ নাপালো, তৃতীয় সম্বোধনত উত্তৰ পালো;—"ক'ৰ পৰা আহিছা? আমিয়ে আছো!"

—উত্তৰৰ লগে-লগেই, হাতত চাকি এটা লৈ শকত আবত, ওখই-পাখই ভাল থুলন্তৰ ডেকা মানুহ এটা দুৱাৰ মেলি ওলাই আহিল।

চিপাহীৰ দৰে হাতত বন্দুক গাত খাকিৰ চৰ্ট আৰু কামিজ দেখি, মানুহটোৱে প্ৰথমতে চক খাই উঠিছিল। তাৰ তেনে মনৰ গতি বুজিব পাৰি ময়ে, সি নৌসোধোতেই, ক'লো;—"মোৰ ঘৰ জিলাত—চিকাৰ কৰিম বুলি হাবিলৈ গৈছিলো। তোমালোকৰ মেহেঙা দোকানীৰ ঘৰতে মোৰ "চাইকেল" খন থৈছিলো। তাৰ ঘৰটো কেনি দেখুৱাই দিব পাৰা নে?"

"—জিলাত যে সুমথিৰা বেচেগৈ, তাৰ কথা কৈছে নে?" বুলি মানুহটোৱে সুধিলে।

মই কলো;—"এৰা, হয়, হয়!"

—"তাৰ ঘৰলৈ, পোনাই গ'লেও এমাইলৰ কম নহব। গাওখনৰ সিমূৰে তাৰ ঘৰ! ইমান ৰাতি, গাওৰ মানুহ এতিয়া সকলো শুলে। আপুনি এতিয়া, তাৰ ঘৰ উলিয়াবলৈ টান পাব!"

—"তেন্তে ভকত, ৰাতিটোৰ কাৰণে মোক ইয়াতে পৰি থাকিবলৈ ঠাই এডোখৰ দিয়া। মোক খাবলৈ দিব নেলাগে। চাহ-পাত আছে যদি, চাহ এটুপি দিলেই, পৰি থাকিব পাৰো"—"এৰা, ইমান ৰাতি নো, এতিয়া খেদাও কলৈ! পিছে, আমি বৰ দুখীয়া। আপোনালোকক—ডাঙৰ মানুহক শুবলৈ এতিয়া জানো কি দিব পাৰো? আহক ভিতৰলৈকে আহক!"—বুলি মানুহটোৱে ভিতৰলৈ মাতি নি বহিবলৈ পীৰা এডোখৰ পাৰি দিলে।

বহাৰ লগে লগে-লগেই কলো "মোৰ বাবে ইমান ভাবিব নেলাগে। জুই একুৰা আৰু ঢাৰি এখন হলেই হব।"

* * * *

—মানুহটো ভিতৰত গৈ মোৰ নিমিত্তে বৰ ব্যস্ত হোৱা দেখিলো। অলপ পিছতে মই বহাৰ ওচৰতে, খৰি একোছা আনি ডাঙৰ জুই একুৰা ধৰি দিলেহি। জুই কুৰাৰ দাতিতে নগা-ঢাৰি এখন পাৰি তাৰ ওপৰত "গদলাৰ" নিচিনা কিবা এখন পাতি দি, ওপৰতে খনিয়া কাপোৰ এখন পাৰি গাৰুটোৰে বিচনা এখন কৰি দিলে। গাত লবলৈ কাপোৰ এখোন দিলে।

তাৰ পিছতে, ভৰি ধুবলৈ পানী এলোটা দি, ওচৰতে ঠাই খন মছি, সান্দহ এবাটি, ভীম কল এটা, সৰু পিয়লা এটাত গুৰ এবাটি, আৰু ডাঙৰ বাটি এটিত চাহ-পানী এবাটি মোৰ আগত যতনাই দিলেহি!

হাবিৰ পৰা ওলাই, ইমান ভোক আৰু পিয়াহ লাগিছিল যে কোনো প্ৰশ্ন নকৰাকৈয়ে, জা-জলপান সোপাকে এফালৰ পৰা খাবলৈ ধৰিলো, বৰ তৃপ্তি লাগিল। খাই অতাই বিছনাত পৰিলো। ইয়াকেহে কয়;—"ভোকে কি জানে দেৱা কৰ্কৰা টোপনিয়ে কি জানে ঘটা বকৰা।"—সেই মুহূৰ্ত্তত, অলপো মনলৈ নাহিল, ঘৰৰ মাছ-মঙহৰ ভাত আঞ্জালৈ, কিম্বা এমুঠন তুলিৰ সুকোমল বিছনালৈ!

* * * *

ৰাতি টোপনি ভালকৈয়ে আহিল। ৰাতিপুৱা চক্-মক্ খাই সাৰ পাই দেখো, বেলি ভালেখিনি উঠিল। মুখ-হাত ধুবলৈ বুলি চোতাললৈ ওলাই আহি দেখো, চোতালখন গাৱৰ মানুহেৰে ভৰি আছে। গিৰিহঁতটোৱে পিৰালিত বহি আঠু দুটাৰ মাজত মূৰ সুমুৱাই আছে। পদূলিৰ মূৰত কাছাৰীৰ টেকেলা দুটা আৰু কেইজনমান মানুহে কথা পাতিছে। মই অবাক হৈ চাই আছো,—মোকো গাওৰ মানুহবোৰে তধা লাগি চাইছে। এনেতে, কোনোবা এটাই মোক পানী এলোটা দিলেহি। মই মুখ ধুই, গিৰিহঁতজনৰ ওচৰতে বহিলোহি। এনেতে, কেঞা এটাৰ সৈতে টেকেলা দুটা চোতাললৈ আহিল।

সিহঁতক দেখি গিৰিহঁতটোৱে এটা বিকট চিঞৰ মাৰি হুক্ হুক্ কৈ কান্দিবলৈ ধৰিলে।

মই ওচৰতে থকা বুঢ়া এজনলৈ চাই সুধিলো,—"এইবোৰ কি হৈছে?"

—বুঢ়াই হুমুনিয়াহ এটা পেলাই কবলৈ ধৰিলে; "কথা নো কিমান কম দেউতা! (গিৰিহঁতটোলৈ আঙুলিয়াই)—সি ভদীয়া মোৰ ভতিজা হে হয়। তাৰ বিপদৰ অন্ত নাই। দেউতা, "ভৰাৰ ওপৰতে ভৰা, মহাপ্ৰভু ৰক্ষা কৰা।" পৰা হলে ময়ে ৰাখিলোহেতেন। কি হব, ময়ো সেই ছাল-ছিগা!— দেউতা পৰহি, যোৱা বছৰৰ খাজনাৰ বাকীত, মৌজাদাৰৰ টেকেলাই, তাৰ হালোৱা গৰু-হাল ক্ৰোক কৰি নিলেহি। ককাইৰ অৱস্থা বেয়া নাছিল। হাতত যদিও ধন নাছিল, ছ-পুৰা মাটিৰ ধানেৰে নদন-বদন কৈ খাইছিল। কাৰো ওচৰত হাত পতা নাছিল। বিপদ যেতিয়া আহে, কোনেও ৰাখিব নোৱাৰে। আজি চাৰি বছৰমান হৈছে, ককাই অলপ জ্বৰতে ঢুকাই থাকিল। বাপেকৰ মুখৰ ছাঁই-মাটি গুচাবলৈ বুলি ই ভদীয়াই কপিত মাটি দুপুৰা বেচিব লগীয়া হল। অৱশ্যে, ককায়ে ঘটি থৈ যোৱাহে।"—এনেতে মই মাত লগালো;—"পিণ্ডটো দিবলৈকে দুপুৰা মাটি বেচিলে নে?"

—বুঢ়াই আকৌ কলে;—"হয় দেউতা, বামুণক দি থৈ, ৰাইজক জলপানটো খুৱাবলৈকে, তথাপি গাখীৰৰ অলপ টান হে পৰিছিল।—আগেয়ে ছ-পুৰা মাটি থাকোতে, তাৰে ধান বেচিয়েই খাজনাটো দিব পাৰিছিল। মাটি দুপুৰা বেচাত, ই ভদীয়াই আৰু ধান বেচিব নোৱাৰা হ'ল। বছৰি-বছৰি খাজনাত লাগি মণি-কেৰু, গৰু-ম'হ যাব লগীয়া হ'ল।—তাতে আৰুবেলি আঘোন মাহত ৰাইজে ধৰি বাপেক নাইকিয়া লৰা বুলি ইয়াৰ ঘৰখন পাতি দিলে। তালৈকে, ছোৱালীৰ গা-ধন, কেৰু মণি, পান-তামোল, গাখীৰ-গুৰ দিওতে, আৰু ইয়াত নিজৰ গয়াখনক জলপান এটা খুৱাওতে,—সৌ তেওঁ কেঞা বাবুৰ ঘৰত তিনিশ টকা ধাৰ লাগিল। মাটিখিনি বন্ধকত থলে। দেউতা, সৌ কেঞা বাবুৱেই আজি পয়ছা দিব

নোৱাৰাত, মাটিখিনি নিলামত দিবলৈ সৌৱা টেকেলা আনিছে। ইমানখিনি টকা এতিয়া ছাল-ছিগা ভদীয়াই দিয়ে ক'ৰ পৰা—!"

এনেতে, "হোঃ" বুলি মই বহাৰ পৰা থিয় হ'লো। মনটো মোৰ কেনেবা কেনেবা লাগিবলৈ ধৰিলে।—দোষ কাৰো গাত নাই, নিজৰ ভৰিত নিজে কুঠাৰ মাৰিছো—নিমিষতে, মনটোৰ ভিতৰত বহুত কথা খেলাই যাবলৈ ধৰিলে।

অকস্মাৎ শুনিলো,—টেকেলাই কৈছে ;—"ভদীয়া, কেঞা বাবুৰ সুদে-মূলে—৪৪৩৬/৯ পাইত, আমাৰ নাজিৰে স্ব-জামিনত নিলাম কৰিবহি। টকা যদি দিব পাৰ, আজি দুপৰৰ আগতে, তেতিয়া তোৰ মাটি তোলৈকে ৰব। পাৰিবি জানো—"

—হঠাতে, টেকেলাৰ ফালে অলপ আগ বাঢ়ি গৈ কলো ;—"অলপ ৰ'বাচোন, মই ৰাইজক কথা এটা সোধো !"

ৰাইজৰ ফালে মুখ কৰি সুধিলো ;—"ৰাইজ, মোৰ দোষ নধৰিব ! আমাৰ গাৱঁৰ মানুহৰ অৱস্থা দিনে দিনে কিয় বেয়ালৈ গৈছে, এই বিষয়ে জিলাত থকা ডাঙৰ মানুহবিলাকে সদায় সভা সমিতি পাতি পাতি ঘূৰিছে। তথাপি ইয়াৰ আচল গুৰিটো পোৱাগৈ নাই। আপোনালোকৰ আশীৰ্ব্বাদত সভা সমিতি নপতাকৈয়ে, ডাঙৰ মানুহ নহৈও, ময়ে আজি ৰাইজৰ দুৰৱস্থাৰ আচল কেৰোণটো ক'ত—ধৰিব পাৰিলো। এই কথা জিলাত সকলোৰে আগত কম গৈ ; আৰু আমাৰ খবৰৰ-কাকত বিলাকতো দেশৰ মানুহে জানিবলৈ লেখিমগৈ—"

* * * মোৰ কথাত, কেউফালে গুৰ্-গুৰ্-কৈ কথা পাতি থকা ৰাইজখন সেই পিনেই নিতাল মাৰি, সকলোৱে মোৰ মুখলৈ বৰ আগ্ৰহেৰে চাবলৈ ধৰিলে।

—মই আকৌ কবলৈ ধৰিলো—"ৰাইজ, দুখীয়া হোৱা আনবিলাক কাৰণৰ লগত, এতিয়া দেখিবলৈ পাইছো, দুটা কাৰণহে বৰ ডাঙৰ ! প্ৰথমটো, ৰাইজে মাক-বাপেকৰ মুখৰ ছাঁই গুচাওতে নিজৰ হাত ভৰি বান্ধি ধাৰ লগোৱা, আৰু সেই ধাৰ নৌমৰোতেই, দ্বিতীয়টোত, লৰাটোৰ ঘৰখন পাতোতে, যথা সৰ্ব্বস্ব কেঞাৰ ঘৰত শোধোৱা—!"

—এনেতে, কেঞাৰ লগত কথা পাতি থকা গাৱঁৰ মেলুৱৈজনে মাত লগালে ;—"বোপা, আপুনি কয় কি ! সেইবুলি এতিয়া, আই বোপাইৰ মুখৰ ছাই নুগুচাই, আমি এতিয়া খৃষ্টিয়ান হ'ম নে কি ? আৰু দুখীয়া হলো বুলি ল'ৰা বিলাকলৈ ছোৱালী নানিম নে কি ?"

চোতালত বহি থকা গাৱঁৰ মানুহবিলাকেও, মেলুৱৈজনৰ কথাতেই "হয়" দি, মোক ওপৰা-ওপৰিকৈ প্ৰশ্ন কৰিবলৈ ধৰিলে।

মই কলো ;—"ৰাইজসকল, আগধৰি মোৰ কথাটো শুনি লওকচোন !—শুনক, পুত্ৰ হৈ পিতৃ-মাতৃৰ মুখৰ ছাই গুচোৱা আমাৰ প্ৰধান কৰ্ত্তব্য। সেই বুলি টেটুত ধাৰ লগাই নহয়। আমাৰ মানুহে দেখোন কয়েই—পিতৃ-মাতৃ হানি হ'লে, পুতেকহঁতৰ গাত বাৰ বছৰলৈ ললাট থাকে। এনে স্থলত মানুহ সাৱধান হোৱা হে উচিত। যাৰ যি শক্তি সেই মতে, বামুণজন আনি ঘাটৰ জল চোতালৰ দুবৰিৰে, পিতৃ মাতৃৰ মুখৰ ছাই গুচাব লাগে। যি খৰচ কৰিব পাৰে, সি ডাঙৰকৈ পাতি ব্ৰাহ্মণ, ভকত সকলোৰে সোধক, যি নোৱাৰে সি বেদ-বিহিত কামটো মাথোন কৰক। এই বিষয়ে, আমাৰ মহাপুৰুষ শঙ্কৰদেৱে সুন্দৰ ব্যৱস্থা দি গৈছে। কলিত হৰিৰ নামেই সকলোৰে মূল। ধাৰ-ঋণ কৰি বিপদ চপোৱাতকৈ, দুখীয়া অৱস্থাৰে কল-মাহ দুটামান গোটাই ; ৰাম-নাম দুআষাৰ লৈও দেখোন পিতৃ-মাতৃৰ মুখৰ ছাই গুচাব পাৰি।—আকৌ ইয়াৰ পিছত, লৰাটোৰ ঘৰখন পতা ! দুখীয়া মানুহে কেলেই ইমান ধাৰ কৰিবলৈ যায় ? লগত ককাই ভাই দুজন লৈ বামুণজনেৰে বেদ বিহিত হোমটো পুৰি, ছোৱালীজনী বিয়া কৰিব নোৱাৰি জানো ! মতা মাইকী হালে যদি মিলেৰে ঘৰখন ধৰিবহি পাৰে, সিহঁতেই দেখোন নিজৰ ইচ্ছামতে বৈ-কাটি পিন্ধিব পাৰিব, বেহা বেপাৰ কৰি, সুন্দৰ আ-অলঙ্কাৰ লৈ সুখেৰে থাকিব পাৰিব।

ছোৱালীজনী ঘৰ নৌসোমাওতেই, মতাটোৱে যদি টেটুত ধাৰ লগায় লয়, পিছত ধাৰকে মাৰিব নে, তিৰোতাকে কাপোৰ কানি দিব নাইবা, ল'ৰা ছোৱালীক পুহিব। যাৰ-ধন সম্পত্তি আছে, সি ডাঙৰকৈ বিয়া পাতি গাওখন জন-জনাই দিয়ক। সেই বুলি ধাৰ কৰি, এদিনলৈ হাতীত উঠি দৰাটো হলে কি হব !—আৰু বৰ দুখৰ কথা—ছোৱালীৰ বাপেকহতে ছোৱালীজনী পুৰি খাবলৈও ওলায়, সিহঁতৰ মঙ্গল চিন্তিব নোখোজে। আপোনালোকে জানে, হিন্দুৰ কন্যাদানৰ সমান পুণ্যৰ কাম নাই। অতি মৰমৰ জীৱাৰীজনী জোৱাইক দিওতে, সিহঁতৰ ভবিষ্যত কেনেকৈ ভাল হব, বাপেক-মাকে সেইটোহে চোৱা উচিত। ছোৱালীৰ গা-ধন গহনা লৈ ; ছোৱালী নৌদিওতেই জোৱাইটোক কেঞাৰ ঘৰত বন্ধকত দিয়ে। তেতিয়া, বাপেকে ভাবে, দহৰ আগত যহো কৰে, ছোৱালীজনী নিবলৈ জোৱায়ে ইমান টকা দিলে ইমান গহনা দিলে ; ৰাইজক ইমান খুৱালে ;—ইত্যাদি। কিন্তু ক্ষন্তেকলৈও নেভাবে, জী-জোৱাই হাল, ধাৰত পোত খাই থাকিলে ভবিষ্যতলৈ কেনেকৈ খাব—! এই বিলাক কথাত বাৰু জানি শুনি নিজে টেটুত চিপ লগাই লোৱা নহয় নে ? কেঞাক দোষ দিলে কি হব !"

এনেতে পকামুৰীয়া বুঢ়া এজনে ৰাইজলৈ চাই মাত লগালে ;—ৰাইজ, শুনিছাহক, বোপাদেৱে কোৱা কথাবোৰ। হয় তো ; ধাৰ কৰি, এদিনলৈ ফোঁপযহী মাৰিলে, কি হব ? নাও বুৰি তলি পালে গৈ,—তেওঁ জানো, আমাৰ মানুহৰ গাত কথা লাগিছে।"

মই আকৌ ৰাইজলৈ চাই ক'লো ;—"ৰাইজ, আমিও দুখীয়া। তথাপি, আপোনালোকৰ আশীৰ্ব্বাদত দুটা পয়ছা এতিয়া খৰচ কৰিব পৰা হৈ আছো। আজি, এওঁ, ভদীয়াৰ কাৰণে, গোটেই ৰাইজখনে চোতালত "উস্-উস্ আস্ আস্" কৰি থকা দেখিছো।—আপোনালোকে যদি,—কাগজ এখন কৰি, এই সমাজতে কথা বান্ধে যে, যাৰ যি শক্তি, সেইমতে পিতৃ-মাতৃৰ মুখৰ ছাই গুচাবলৈ আৰু বিয়া পাতিবলৈ, আৰু দৰা ঘৰৰ পৰা ছোৱালীৰ গা-ধন আৰু গহনা কেতিয়াও নলবলৈ ; তেন্তে—!"

ৰাইজে মোক চুচুক-চামাক কৰা দেখি কবলৈ ধৰিলে —"কওক, কওক, বোপা ; আমি কথাটো ভালকৈয়ে বুজি পাইছো কওক—।"

মই কবলৈ ধৰিলো,—"মই কব খুজিছো সম্প্ৰতি এওঁ ভদীয়াৰ ধাৰখিনি ময়ে মাৰি দিম আৰু খাজনা দি, মৌজাদাৰৰ ঘৰৰ পৰা হালোৱা গৰু কেইটা মোকোলাই আনি দিম। আপোনালোকে মোক কিন্তু কথা দিব লাগিব—!"

মোৰ কথাত, গোটেই ৰাইজখনেই ক্ষন্তেক পৰ তধা লাগি মোলৈ চাই আছিল।

এনেতে, গাঁৱৰ বুঢ়া দুজন ৰাইজৰ মাজৰ পৰা একে চাবেই থিয় হৈ মোৰ ওচৰ পালেহি ; "বোপা, আপুনি মানুহ নহয়, কোনোবা দেৱতা হে।—কুকুৰধূলি ভদীয়ালৈ আপোনাৰ হিয়াখন ইমান পুৰিলে ? আমি ৰাইজে আশীৰ্ব্বাদ দিছো, আপোনাৰ ধন-ঐশ্বৰ্য্য উপচি পৰক।" সিফালে আগতে বটাখন লৈ বহি থকা আদহীয়া মানুহজনলৈ চাই বুঢ়া দুজনে কলে ;—"পণ্ডিত, এখেত বোপাদেৱে আমাৰ চকুত আঙুলি দি কি জ্ঞান দিলে, গম পালা নে ? আমাৰো মৰিবলৈ আৰু সৰহ দিন নাই। আমাৰ চকুৰ আগতে সেই হেন ধনে-ধানে, গৰুয়ে-ম'হে চহকী, নদন-বদন গাওখন এফালৰ পৰা উছন হৈ আহিছে।—ইবোৰ সিবোৰ কথা নহয়, বোপাদেৱে কোৱা কথাই ঠিক। এতিয়াই কাগজ এখন কৰা, ঠিক বোপাদেৱে কোৱা মতে। আৰু তাত বান্ধি দিবা, আমাৰ গাঁৱত এই কথাৰ কোনোৱে অন্যথা কৰিলে, তাক গুৰু-ভকতৰ দোষে অচিৰে ছুব আৰু গোটেই গাওখনৰ নেওচা তাৰ গাত পৰিব। লিখা এতিয়া। আমি চহী কৰিম।"

—এনেতে কোনোবা এটাই লৰি গৈ কাৰোবাৰ ঘৰৰ পৰা কাগজ, কলম, দোৱাত আনিলে গৈ। পণ্ডিতে লিখিবলৈ ধৰিলে ; গাওৰ মেলুৱৈজন আৰু কেঞাটোৰ বাহিৰে সকলোৰে মুখত আনন্দৰ ৰেখা বিৰিঙি উঠিল। কেউফালে, এই কথাটোকে লৈ, আলোচনা হবলৈ ধৰিলে। এনেতে মেলুৱৈজনে মোৰ ওচৰলৈ আহি, মোৰ কাণত মনে-মনে কলেহি,—"হয়, বোপা, ভদীয়াৰ

মাটি কেইদৰা বেয়া নহয়। ইয়াত গুটি আদি খাওতা মানুহো আছে। আপোনাক মই সকলো সুবিধা কৰি দিম! টকাত টকা লাভ হব।" মেলুৱৈজনৰ কথাৰ মই উত্তৰ দিবলৈ নহ'ল, মিচিক্ কৰে মাথোন হাঁহিলোঁ।

কাগজ খন লিখা হ'ল, মই কোৱাৰ দৰেই লিখিলে। পণ্ডিতে, কাগজ খন ৰাইজক পঢ়ি শুনা'ল। সকলোৱে একে-মুখেই "হয়-হয়" দি চহী কৰি যাবলৈ ধৰিলে।

টেকেলা কেইজনলৈ চাই, মাত লগালো—"টেকেলা! নাজিৰ কেতিয়া পাবহি। নাজিৰে, মোক চিনি পায়! এই টকাখিনি মই দিম, মাটি নিলাম কৰিব নেলাগে!" ৰাইজলৈ চাই ক'লো;—"ৰাইজ—এই কাগজ খনৰ মতে যদি ৰাইজে সচাকৈয়ে কাম কৰে, মই ভাবিব পাৰিম, মোৰ টকাখিনি পবিত্ৰ কামত খৰচ হ'ল বুলি। আপোনা-লোকক জনাও, এই টকাখিনি ৰাইজৰ বাবে মই এনেয়ে দিম। ইয়াৰ বাবে, মোক একো নেলাগে, ভদীয়াৰ মাটি ভদীয়ালৈকে থাকিব। মোৰ কথা হৈছে, ৰাইজে যেন ৰাইজকে ধাৰৰ পৰা ৰক্ষা কৰিবলৈ চায়। এয়ে মোৰ গোহাৰি।"—"বোপা, কয় কি, অতখিনি টকা!" ৰাইজে মাত লগালে।

—"নহয়, নহয়, এই টকাৰ ওপৰত মই একো অধিকাৰ নেৰাখো। ৰাইজৰ আশীৰ্ব্বাদ হে লাগে—।"

হঠাতে দেখোন ভদীয়াই, ভায়েক, ভনীয়েক আৰু ঘৈণীয়েকৰ সৈতে মোৰ ওচৰত আঠুলৈ মাত লগালেহি; "আপুনি আমাৰ কোনোবা পুৰুষৰ বোপাই আছিল। আমাৰ যিটোকে লাগে আপুনি এটাক চাকৰ কৰি নিয়ক, গোটেই জীৱনটোৱেই আপোনাৰ ঘৰত এটাই নহয় এটাই খাটি থাকিম—।"

মই ভদীয়াৰ কথাত উচাপ খাই যোৱাৰ দৰে, একে জাপেই ৰাইজৰ মাজত থিয় হলোগৈ আৰু কবলৈ ধৰিলো "ভদীয়া, তুমি মোক লাজ দিছা কেলেই? মোক তোমালোকৰ এটা ককাই-ভাই বুলিয়েই ধৰা। মই তোমাৰ পৰা একো আশা কৰা নাই। মোৰ ধাৰ ৰাইজৰ গাতহে থাকিল। ৰাইজে হে নিজৰ কথা ৰাখি মোৰ ধাৰ মাৰিব লাগিব।"

"হয়, হয়, নিশ্চয়; আমি হে বোপাৰ ওচৰত ধৰুৱা, ৰাইজে, বোপাক আশীৰ্ব্বাদ এজোলোকা দিব খুজিছে, বোপা, বহকচোন।"—বুঢ়া এজনে মোৰ ফালে চাই কলে। মই ঠাইতে, ৰাইজলৈ আঠু ললো।



"নগা পাহাৰত এসপ্তাহ"ৰ বিষয়ে আমাৰ একাষাৰ

—শ্ৰীযুত কৰুণাকান্ত গগৈ

ওপৰত উনুকিৱা শিতানৰ তলত শ্ৰীযুত জ্যোতিষচন্দ্ৰ দাসে লিখা এটি প্ৰবন্ধ ৬ষ্ঠ বছৰ প্ৰথম সংখ্যা "আৱাহন"ত প্ৰকাশ হৈছে। এই প্ৰবন্ধটি পঢ়ি যাওঁতেই দুই-এটি অতিৰঞ্জিত আৰু অমূলক কথা আমাৰ চকুত পৰিছিল, যদিও আন কোনোৱে তাত মাত দিব বুলি ইমান দিনে নিজমে আছিলোঁ। কিন্তু সেই আশা পৰিপূৰণ হোৱাৰ কোনো চিন-চকম দেখা নেপাই দুই-এটি কথা আঙুলিয়াই দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

লিখক যি সময়ত কহিমালৈ আহে সেই সময়ত ইয়াত ধাৰাসাৰে বৰষুণ; গতিকে তেখেতে ঠাই চোৱা আৰু খবৰ-বাতৰি সংগ্ৰহ কৰা কাৰ্য্যত সঁচাকৈয়ে কিছু অসুবিধা ভোগ কৰিছিল। বৰষুণ এৰাৰ চেগ বুজি তেখেতে প্ৰথমেই কহিমা গেটৰ বাওঁ হাতে থকা ফুলনি চাবলৈ যায় আৰু ইয়াতে পোন প্ৰথমে আহুকলীয়া ভ্ৰম-প্ৰমাদত পৰে। তেখেতে কৈছে, "ফুলনিৰ ঠিক সোঁ মাজতে যোৱা জাৰ্ম্মাণ যুদ্ধত যিসকল ভাৰতীয় সৈন্যই প্ৰাণ দিছিল তেওঁবিলাকৰ সোঁৱৰণীৰ চিন স্বৰূপে এটা ধুনীয়া শিলৰ স্তম্ভ আছে।" হওঁতে কথাটো কোনো মতেই মিছা নহয়। ধুনীয়া বিশেষণৰ উপযোগী নহলেও ফুলনিৰ সোঁ মাজতেই কলিকতাৰ P.Swaries & Co.-য়ে তৈয়াৰ কৰা এটা স্তম্ভ আছে হয়। কিন্তু আমি জনাত সেই স্তম্ভটো জাৰ্ম্মাণ যুদ্ধত প্ৰাণ এৰা কোনো ভাৰতীয় সৈন্যৰ স্মৃতি ৰক্ষাৰ্থে প্ৰতিষ্ঠা কৰা হোৱা নাছিল। কেইজনমান ইংৰাজ আৰু ভাৰতীয় উচ্চ কৰ্ম্মচাৰীয়ে খনমা নগা-চাং অধিকাৰ কৰিবলৈ যাওঁতে প্ৰাণত্যাগ কৰাৰ কথা হে তাত উল্লেখিত হৈছে। সেই লিপি আমি এই ভাগে হে পঢ়িছোঁ।—কহিমা বজাৰৰ ফালৰ পৰা গৈ সমুখত :—

Major. C. R. Cook, D.A.A.G.
Killed at Khonoma
22nd. November 1879.

পিঠি ফালে :—G. H. Damant, M. A., C. S.
Killed at Khonoma 4th. Oct.1879.

সোঁ ফালে :—Sub-Major, Nurbir Sai, 44th.
N. I. Killed at Khonoma.
—22nd. November 1879.

বাওঁ ফালে :—Lieut. H. H. Forbes 44th. N. I.
Died from wounds received at
Khonoma—22nd, Nov. 1879.

বোধ কৰোঁ তেখেতে লোকৰ কথাত প্ৰত্যয় নগৈ নিজে এফেৰা কষ্ট স্বীকাৰ কৰা হলে ইমান ভুল ৰবলৈ নেপায়।

দ্বিতীয়তঃ লিখকে আঁৰ লগাইছে নগাৰ জাতি বিভাগত। তেখেতে পকা আৰু নপকা নামৰ দুজাতি নগা কি উপায়েৰে যে আবিষ্কাৰ কৰি উলিয়ালে আমি তাৰ আঁতি-গুৰিকেই বিচাৰি নেপাওঁ। আও নগাও কহিমা চবডিভিজনৰ ভিতৰত নপৰে বাসিন্দা হিচাপে, যদিও দুই-চাৰিজন গৱৰ্ণমেণ্ট চাকৰীয়াল ইয়াত আছে। আৰু আওবিলাকৰ নাম এই প্ৰবন্ধত উল্লেখ কৰিবলৈ হলে—চাঙ, ফম, কন্যাক আদিৰ নামো স্বতঃসিদ্ধ স্বৰূপে উনুকিৱাটো উচিত হৈ পৰে। বিশেষতঃ কহিমা চবডিভিজনৰ তলতে থকা চাস্তাম, টাংখুল আদি জাতিৰ নাম লিখকে তেখেতৰ প্ৰবন্ধত ঠাই দিবলৈ কাৰ্পণ্য দেখুৱালে বেয়া লাগে। নগাৰ ভিতৰত জাতি হিচাপে এইসকল উল্লেখযোগ্য। এইবিলাকৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আৰু সৱাতোপৰি এওঁলোকৰ ৰক্ষণশীলতাৰ পৰা আদিম অধিবাসীবিলাকৰ

(Primitive People) বিষয়ে অনেক ধাৰণা কৰিব পাৰি। লিখকে সাধাৰণ সত্য হিচাপে যিকিটা সৰল, সত্যবাদী আদি গুণ সকলো নগা জাতিৰ ওপৰতে আৰোপ কৰিবলৈ গৈছে, মই হলে সেই কেইটা গুণৰ এফেৰা গোন্ধ এইবিলাকৰ গাতেই পাওঁ। এওঁলোকে প্ৰকৃততে বিদেশীৰ সংশ্ৰৱ আৰু তদজনিত দোষ-গুণৰ হাত এৰাই থাকিব পাৰিছে। আনবিলাকক মই তেনে বুলি ভাবিবলৈ মনক কোনো মতেই প্ৰত্যয় মনাব নোৱাৰোঁ।

মই জনাত কহিমাৰ লগত সঘনে চলকৰ কৰা নগাৰ গাত কিছুমান দুষ্ট গুণ আন সকলোবিলাক সদ্ গুণকে চেৰাই জিলিকি উঠা দেখা যায়। শিক্ষিত আৰু অৰ্দ্ধশিক্ষিতৰ ভিতৰত 'ফৰেইনাৰ-ফ'বিয়া' (Foreigner Phobia) গুণটোও অনুভৱ কৰিব লগীয়া, তেহেলৈ সেই ফৰেইনাৰ (বিদেশী) অসমীয়াই হওক বা আন কোনো জাতিৰেই হওক। কিন্তু সাধাৰণতঃ নগাৰ প্ৰতি নগাৰ ব্যৱহাৰ, ভাব আৰু আদান-প্ৰদান বেছ অনুকূল ধৰণৰ। গতিকে তেখেতে কোৱা নগাৰ অসমীয়াৰ প্ৰতি প্ৰীতি ভাবৰ কথা-বাৰো মোৰ বোধেৰে অপ্ৰীতিকৰ আৰু ঘোৰ সন্দেহজনক। দূৰৰ পৰা সকলো বস্তুকেই ৰংচঙীয়া দেখা যায়। অৱশ্যে নগাবিলাক যে আমাৰ ভৈয়ামৰ মানুহতকৈ কষ্টসহিষ্ণু, উদ্যোগী আৰু কৰ্ম্মপটু এই কথা মই কোনো মতেই নুই কৰিবলৈ নেযাওঁ। পাৰিপাৰ্শ্বিক অৱস্থাই এনে হবলৈ বাধ্য কৰিছে। আৰু ইও সঁচা যে গুৰিতে নগাবিলাক সকলো ধৰণে হোজা আৰু সৰল আছিল; বৰ্ত্তমান অৱস্থান্তৰ বিদেশীৰ লগত সঘন সংঘৰ্ষ আৰু আদান-প্ৰদানৰ পৰাই প্ৰতিষ্ঠিত হৈছে বুলিয়ে মই ধাৰণা কৰো।

এই খিনিতে বোধ কৰোঁ এটা কথা উত্থাপন কৰা বৰ অপ্ৰাসঙ্গিক নহব। লিখকে বৰ দুখেৰে জনাবলৈ বাধ্য হৈছে যে কহিমাত অসমীয়াৰ প্ৰতি অলপো ভাল ভাব নাই। ই যদি তেখেতৰ স্বকপোলকল্পিত মন্তব্য তেন্তে আমি তাত বেছি মুখ বজাবলৈ নেযাওঁ, আৰু যদিহে ই আন কোনোবা সংবাদদাতাৰ মুখৰ পৰা ধাৰ কৰা কথা, তেন্তে সেই সংবাদদাতাসকল পুতৌৰ পাত্ৰ। ৰদৰ জিলিঙনিত থিয় দিলে যেনেকৈ নিজৰ গাৰ অবয়বটোকে ছঁয়া ৰূপে দেখা পোৱা যায়, ঠিক তেনেকৈয়ে নিজৰ পেটতে ভাজি-পুৰি থকা কথাৰ ছাঁ সমাজৰ পোহৰত থিয় কৰালে অনেক ভাবুকৰ চকুত চমক্ লগায়, ফলতঃ নিজৰ প্ৰতিবিম্বকে আনৰ গাতো প্ৰতিফলিত দেখে। ই "ৰজ্জুঃ সৰ্পভ্ৰম"ৰ বাহিৰে আন একো নহয়। ভেড়াৰ জাকত দুই-এটা কলা ভেড়া থাকিলেই আমি যে গোটেই পালটোকে কলা বুলিব লাগিব তাৰ কোনো মানে নাই, আৰু ই কোনো নৈয়ায়িকৰ দ্বাৰা অনুমোদিত হব নোৱাৰে। কোনো কাৰ্য্যোপলক্ষে আমিও দিনদিয়েক কহিমাত আছোঁ আৰু সেই সূত্ৰে ইয়াৰ সকলো অসমীয়াৰ লগতে কম-বেছি সমিলমিল হবলৈ সুবিধাও পাইছোঁ। কিন্তু এনে ধৰণৰ সৰল মন্তব্য আয়ত্ত কৰাৰ সুবিধা কোনো মতে কৰি উঠিব পৰা নাই। মই ভাবোঁ—লিখকে কেৱল দুদিনলৈ আহি এনে ধৰণৰ উদ্ভৎ সমাজ-সংস্কাৰ কাৰ্য্যত হাত তিয়াবলৈ নোযোৱা হলেই ভাল আছিল।

অৱশেষত কওঁ যে এই কেইটা কথা বাদ দি শ্ৰীযুত দাস ডাঙৰীয়াৰ প্ৰবন্ধটি আন সকলো প্ৰকাৰে উপাদেয় হৈছে। আমাৰ সাহিত্যত ভ্ৰমণ-বৃত্তান্তৰ নাটনি বাৰুকৈয়ে অনুভৱ কৰিব লগীয়া। সম্প্ৰতি উঠি অহা ডেকাৰ ভিতৰত কেইজনমানে এই বিষয়ে বাট দেখুৱাব লাগিছে। ই বৰ সুখকৰ কথা হৈছে, সন্দেহ নাই। আমাৰ সাহিত্যত ভ্ৰমণ-বৃত্তান্তৰ প্ৰকাশ যিমানে বাঢ়িব সিমানে অনুসন্ধিৎসু অসমীয়া ডেকাসকল দেশ বিদেশত বিয়পি পৰাৰ ধাউতিত উৎসাহ যোগোৱা হব। লিখকৰো আগ্ৰহ যেন পৰি নাহি দোপতদোপে চৰি হে যায়। ইয়াকে আমি কামনা কৰিলোঁ।

———

মাৰ্চ্চাল পিলচুদস্কি

—শ্ৰীযুত দীননাথ শৰ্ম্মা

আমাৰ দেশৰ বহুতে পিলচুদস্কিক নাজানে। হিটলাৰ, মুছোলিনি, কামাল পাছাৰ দৰে ইউৰোপৰ ভিতৰত পিলচুদস্কিও এজন অসামান্য শক্তিশালী লোক। এওঁৰ বিষয়ে অলপ আলোচনা কৰাই এই প্ৰবন্ধৰ উদ্দেশ্য।

ইউৰোপৰ ক্ষুদ্ৰ ৰাজ্য পোলাণ্ডৰ মুক্তিদাতা মাৰ্চ্চাল পিলচুদস্কিৰ জীৱন-কাহিনী সচাঁকৈয়ে বৰ অসাধাৰণ আৰু চমক্প্ৰদ। পোলাণ্ড দেশ বহু শতাব্দী ধৰি ৰুছিয়াৰ



জাৰসকলৰ অধীনত আছিল। দুৰ্দ্দশাগ্ৰস্ত পৰাধীন দেশৰ ভাগ্যত যি ঘটে জাৰসকলৰ অধীনত পোলাণ্ডৰ ভাগ্যতো সেই লাঞ্ছনাই ঘটিছিল। দিনে দিনে ইয়াৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। ঠিক এনে সময়তে পোলাণ্ডত উদয় হল স্বদেশপ্ৰেমিক পিলচুদস্কি, যাৰ অসাধাৰণ উদ্যম আৰু মুক্তি-বাণীয়ে মৃতপ্ৰায় পোলাণ্ডক সঞ্জীৱিত কৰি তুলিলে।

মহান পুৰুষসকলৰ জীৱনৰ লগত পিলচুদস্কিৰ জীৱনৰো বহুত ঠাইত সামঞ্জস্য আছে। অতি সাধাৰণ অৱস্থাৰ পৰা পিলচুদস্কিয়ে নিজৰ প্ৰতিভা আৰু পৰিশ্ৰমৰ বলত শেহত স্বাধীন আৰু সাধাৰণ তন্ত্ৰবাদী পোলাণ্ডৰ সৰ্ব্বশ্ৰেষ্ঠ ৰাষ্ট্ৰ-নায়কৰ পদ-গৌৰৱৰ অধিকাৰী হব পাৰিছে। তেওঁ কেনেকৈ জীৱনক নানা দুঃসাহসিক অভিযানৰ মাজেদি কীৰ্ত্তিমণ্ডিত কৰি তুলিলে তাৰ কাহিনী ইমান ৰোমাঞ্চকৰ যে তাৰ তুলনা কোনো চমক্প্ৰদ উপন্যাসৰ ঘটনাৱলীৰ লগত হে হব পাৰে।

পোলাণ্ডৰ পৰাধীন অৱস্থাতে ১৮৭১ খৃষ্টাব্দত পিলচুদস্কিৰ জন্ম হয়। তেওঁ সৰু কালতে স্বদেশৰ ওপৰত বিদেশীসকলৰ অত্যাচাৰৰ কথা বুজিব পৰিছিল। তেওঁৰ মাকে তেওঁক কোলাত লৈ দেশৰ এই দুৰ্দ্দশাৰ কথাৰে গল্প কৈছিল। মাকৰ মুখে দেশৰ অতীত গৌৰৱৰ কাহিনী আৰু বৰ্ত্তমানৰ শোচনীয় লাঞ্ছনাৰ কথা শুনি শুনি শিশু পিলচুদস্কিৰ মনত এটি জাতীয় প্ৰেৰণা তেতিয়াই উদ্বুদ্ধ হৈছিল। তেওঁ শিক্ষা পাইছিল ৰুছ ভাষাত, ৰুছ-সকলৰ বিদ্যালয়ত। কিয়নো তেতিয়া অইন কোনো বিদ্যালয় স্থাপনৰ সুবিধা নাছিল। সেই সময়তো কোনো পোলাণ্ড শিশুৱে তেওঁলোকৰ মাতৃভাষাত কথা কব নোৱাৰিছিল। কোনোবাই তাৰ অন্যথা কৰিলে তেওঁৰ মাক-বাপেকৰ ওপৰত শাস্তি বিহা হৈছিল। পিলচুদস্কিয়েও সেই নিয়মৰ ব্যতিক্ৰম কৰিব নোৱাৰিছিল। পিলচুদস্কিৰ ৰুছ শিক্ষকে তেওঁক মাতৃভূমি আৰু জাতীয় ভাবক ঘিণ কৰিবলৈ উপদেশ দিছিল। কাৰণ এনেকুৱাই আছিল তেওঁলোকৰ কৰ্ত্তৃপক্ষৰ অৰ্থাৎ জাৰৰ আদেশ। কিন্তু পিলচুদস্কিৰ মাক আছিল অত্যন্ত জাতীয় ভাৱাপন্ন। তেওঁ কেতিয়াও কোনো অফিচাৰক তেওঁৰ ঘৰলৈ

নামাতিছিল আৰু পাৰ্য্যমানে বিদেশী শাসকক ঘিণাইছিল। গতিকেই আন মানুহৰ দৰে তেওঁলোকেও সদায় নিৰ্য্যাতন আৰু বিপদৰ আশঙ্কাত দিন অতিপাত কৰিব লগাত পৰিছিল।

সাধাৰণতে পৰাধীন জাতিৰ মন যেনেকুৱা হয় সেই দৰে পোলাণ্ডবাসীসকলো জাৰৰ অধীনত থাকি নিৰাশ আৰু অকৰ্ম্মণ্য হৈ পৰিছিল। আনকি কিছুমানে স্বদেশৰ কথা পাহৰিয়েই গৈছিল। এইবিলাক মানুহে জাৰৰ অত্যাচাৰত অতিষ্ঠ হৈ তাৰ প্ৰতিকাৰৰ আন উপায় নেদেখি নিৰাপদ আৰু সুখী জীৱন যাপনাৰ্থে জাৰ্ম্মাণী, অষ্ট্ৰীয়া আদি দেশলৈ গৈ তাত বসতি লৈছিল। সেই কাৰণে তেতিয়াও যিসকল মুষ্টিমেয় লোকে বিদ্ৰোহাত্মক অনুষ্ঠান আৰু জন্মভূমিৰ উদ্ধাৰৰ কথা চিন্তা কৰিছিল উপৰোক্ত লোকসকলে তেওঁলোকক উৎপাত স্বৰূপ ভাৱিছিল। তেওঁলোকৰ পক্ষে তেনে হোৱাটোৱেই স্বাভাৱিক আছিল।

পিলচুদস্কি আছিল এই উৎপাতকাৰী দলৰে এজন আৰু শেহত তেৱেঁই এই দলৰ নেতা হৈছিল। মাথোন সোতৰ বছৰ বয়সতেই তেওঁ এখন "গুপ্ত সমিতি" গঠন কৰি দেশৰ মুক্তিৰ কাৰণে চেষ্টা কৰিলে। এই সমিতিৰ উদ্দেশ্য আছিল বিপ্লৱবাদমূলক কিতাপবিলাকৰ প্ৰচাৰ আৰু পাঠ কৰা। এইটো কথা মনত ৰখা উচিত যে সেই সময়ত পোলাণ্ডৰ সামান্য এখন ইতিহাস পঢ়িলেও দণ্ড আছিল নিৰ্ব্বাসন বা কাৰাবাস। গতিকে সেই সময়ত গুপ্ত সমিতি পতা যে কিমান বিপদজনক আছিল তাক সহজেই অনুমান কৰিব পাৰি। তেওঁৰ যেতিয়া কুৰি বছৰ বয়স হয় তেতিয়া তেওঁ পাঁচ বছৰৰ কাৰণে চাইবেৰীয়ালৈ নিৰ্ব্বাসিত হৈছিল।

সেই সময়ত জাৰক হত্যা কৰিবৰ কাৰণে কৰা এটা ষড়যন্ত্ৰ হঠাৎ ধৰা পৰে; আৰু সেই ষড়যন্ত্ৰত তেওঁৰো যোগ আছিল বুলি সন্দেহ কৰিয়েই তেওঁক দণ্ড দিয়া হৈছিল। ঠিক এনে সময়তে সেই একে অপৰাধতে তেওঁৰ ককায়েককো ওঠৰ বছৰৰ কাৰণে ছাগালিন্ দ্বীপলৈ নিৰ্ব্বাসিত কৰিছিল। জাৰক হত্যা কৰিবৰ এই ষড়যন্ত্ৰত কছ বিপ্লৱবাদীসকলৰো যোগ আছিল, আৰু এই ঘটনাতে লেনিনৰ ককায়েকৰ ফাঁচি হয়। এই দণ্ড আৰু অত্যাচাৰত পিলচুদস্কিৰ জীৱনৰ গতি আৰু দৃঢ় আৰু বিপ্লৱৰ ফালে ঢাল লয়। হত্যাৰ ষড়যন্ত্ৰৰ লগত তেওঁৰ সম্বন্ধ নিচেই অলপ হে আছিল। কিন্তু এই অলপ কথাতে প্ৰমাণ নোহোৱাকৈ তেওঁৰ প্ৰতি এই কঠোৰ নিৰ্ব্বাসন দণ্ড দিয়াত পিলচুদস্কিয়ে জাৰৰ হাতৰ পৰা দেশক উদ্ধাৰ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হল; আৰু এই অন্যায় শাস্তিৰ প্ৰতিশোধ লবলৈ কঠোৰ সংকল্প কৰিলে। সেই অৰ্থে তেওঁ চাইবেৰীয়াৰ সেই নিৰ্ম্মম বন্দীশালতে দেশৰ উদ্ধাৰৰ কাৰণে উপায় চিন্তা কৰিবলৈ ধৰিলে। বন্দীশালৰ ভিতৰতো তেওঁ তেওঁৰ জন্মভূমিৰ লাঞ্ছিত, শৃঙ্খলিত মলিন বেশটিৰ হে কল্পনা কৰি কটাইছিল। এনেতে তেওঁ এটা সুযোগ পালে। তেওঁৰ লগৰ বন্দী আছিল প্ৰায় সকলোবোৰেই ৰুছিয় ছোছিয়েলিষ্ট। তেৱেঁা ছোছিয়েলিষ্ট ধৰ্ম্মত দীক্ষা গ্ৰহণ কৰিলে। তেওঁ মুছোলিনিৰ দৰে দেশৰ স্বাধীনতা অৰ্জ্জনৰ কাৰণেই এই ছোছিয়েলিষ্টসকলক নিজৰ কামত লগাইছিল।

চাইবেৰীয়াৰ পৰা মুক্তি পাই তেওঁ নিজ ঘৰলৈ আহি দুবছৰৰ পাছত এখন বাতৰি-কাকত উলিয়ায়। এই বাতৰি-কাকতৰ নাম আছিল "Robot-nick" আৰু ইয়েই পোলাণ্ডৰ সৰ্ব্বশ্ৰেষ্ঠ ছোছিয়েলিষ্ট সংবাদ-পত্ৰ। এই কাগজ প্ৰকাশ কৰা বৰ বিপদ আৰু দুঃসাহসৰ কাম আছিল। কাৰণ গৱৰ্ণমেণ্টৰ চকুত ই বিপ্লৱ প্ৰচাৰৰ চেষ্টা বুলি বিবেচিত হৈছিল। গতিকে ইয়াক অতি গোপন আৰু সাৱধানে উলিয়াব লগা হৈছিল। পিলচুদস্কিয়ে এই কাম ইমান কৌশলেৰে কৰিছিল যে তাক শুনিলে বিস্ময় নামানি নোৱাৰি। বেৰৰ সৈতে মিলি থকা এটা আলমাৰীত মুদ্ৰাযন্ত্ৰ লুকাই থোৱা হৈছিল, আৰু ছপোৱা প্ৰত্যেক পৃষ্ঠা এটা হাত বাকচত সুমাই থৈ অতি সাৱধানে এই "গুপ্ত প্ৰেছ"ৰ পৰা উলিয়াব লগা হৈছিল। কাৰণ ধৰা পৰিলে পুনৰ চাইবেৰীয়াৰ নিৰ্জ্জন বন্দীশাললৈ যাব লাগিব। দুহেজাৰৰো অধিক কপি ছপাওঁতে অতি কমেও দুসপ্তাহৰো বেছি সময় লাগিছিল

অতি আচৰিত কথা যে এই "গুপ্ত প্ৰেছ"ৰ বাতৰি পুলিচে নানা চেষ্টা কৰিও সাত বছৰলৈ উলিয়াব পৰা নাছিল। লোদজ নামৰ ঠাইত এই প্ৰেছ আছিল, আৰু সুদীৰ্ঘ সাত বছৰ কালৰ পিছত যেতিয়া পুলিচৰ হাতত ধৰা পৰে তেতিয়া পিলচুদস্কিক ফাটক দিয়া হয়। তেওঁ বন্দী হোৱাত যদিও এই কাগজ প্ৰকাশ হৈছিল, আনকি ইংলণ্ডতো কেই কপিমান ওলাইছিল, তথাপি তেতিয়া আৰু তাৰ আগৰ প্ৰতিভা নাছিল। ওৱাৰচৰ নৰকতুল্য কাৰাগাৰত পিলচুদস্কিয়ে যি নিৰ্ম্মম কাৰাদণ্ড ভোগ কৰিছিল তাক বৰ্ণনা কৰিব নোৱাৰি। তেওঁ তাৰ পৰা মুক্তিৰ আন উপায় নাপাই পগলাৰ ভাও ধৰিবলৈ লাগিল। কিন্তু কছ চৰকাৰী অফিচাৰসকলে তেওঁক সহজে পগলা ফাটকলৈ পঠাবলৈ সন্মত নহল। অৱশেষত পগলাৰ ভাও ধৰোঁতে ধৰোঁতে যেতিয়া পিলচুদস্কি সঁচাকৈয়ে পগলা হবৰ উপক্ৰম হল তেতিয়া তেওঁক তাত আৰু নাৰাখি বহু দূৰত অৱস্থিত চেণ্টপিটাৰ্চবাৰ্গলৈ পঠাই দিলে।

ইফালে তেওঁৰ দেশবাসী ছোছিয়েলিষ্টসকলে তেওঁক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। এজন ডেকা ডাক্তৰক এই কাৰ্য্যৰ ভাৰ দি চেণ্টপিটাৰ্চবাৰ্গৰ পগলা ফাটকৰ এজন কৰ্ম্মচাৰী কৰি পঠালে। তেওঁ গৈ নিজৰ জীৱন বিপদগ্ৰস্ত কৰিও পিলচুদস্কিক ছদ্মবেশেৰে সজ্জিত কৰি অতি কৌশলৰে পলুৱাই পঠালে। পিলচুদস্কি পলাই নানা ঠাইত ঘূৰি ফুৰি অৱশেহত আহি ইংলণ্ডত আশ্ৰয় ললেহি। ইংলণ্ডত সেই সময়ত বহুত দেশসেৱী দোষী আছিল। পিলচুদস্কিয়ে তেওঁলোকৰ সাহচৰ্য্য লাভ কৰি সুখী হল। তেওঁ কেই মাহমানৰ পিছত আকৌ দেশসেৱাৰ কাৰ্য্যত আগ বাঢ়িল।

তেওঁ ৰুছিয়াৰ অত্যাচাৰী শাসকসকলৰ হাতৰ পৰা মাতৃভূমি পোলাণ্ডক উদ্ধাৰ কৰিবলৈ যি কোনো পন্থা অৱলম্বন কৰিবৰ কাৰণে প্ৰস্তুত আছিল। সেই কাৰণেই যেতিয়া ৰুছ-জাপানৰ যুদ্ধ আৰম্ভ হল, তেতিয়া তেওঁ জাপানৰ সহায় পোৱাৰ আশাত হেজাৰ হেজাৰ মাইল দূৰত থকা টোকিও নগৰীলৈ যাত্ৰা কৰিলে। জাপানৰ আৰ্থিক সাহায্য লৈ পোলাণ্ডৰ এটা সৈন্যবাহিনী গঠন কৰাই তেওঁৰ উদ্দেশ্য আছিল। কিন্তু পোলাণ্ডৰ মডাৰেট নেতা ৰোমাণ উমা উস্কিয়ে তেওঁৰ কৃতকাৰ্য্যতাৰ পথত বাধা দিলে। তেওঁ ষড়যন্ত্ৰ আৰু বিদ্ৰোহৰ দ্বাৰা দেশৰ উদ্ধাৰ কৰাতকৈ আবেদন-নিবেদনৰ দ্বাৰা দেশক মুক্তি দিয়া বেছি ভাল বুলি ভাবিছিল। এওঁ পিলচুদস্কিতকৈ টোকিওলৈ আগেয়ে গৈ বিপ্লৱী নেতাৰ উদ্দেশ্য তেনেই ব্যৰ্থ কৰি দিলে।

তাৰ পিছত পিলচুদস্কিয়ে সমৰ-নেতা হোৱাৰ আশা এৰি এটা দস্যুদল গঠন কৰাত মন দিলে। সেই অৰ্থে তেওঁ পোলাণ্ডত শ্ৰমিক সৈন্যবাহিনী এটা গঠন কৰিলে। এই বাহিনীৰ কাম হল—কাৰাগাৰবোৰ আক্ৰমণ কৰি বন্দীবোৰক মুক্তি দিয়া, ডাক লুঠ কৰা বা চৰকাৰী কৰ্ম্মচাৰীসকলক আক্ৰমণ কৰা। এবাৰ এই দস্যুদলে ডাক লুঠ কৰি প্ৰায় ৩০ লক্ষ ৰুবল মুদ্ৰা সংগ্ৰহ কৰিছিল।

কিন্তু পিলচুদস্কিয়ে এই ৰাজনৈতিক দস্যুবৃত্তি বেছি দিনলৈ কৰিবলৈ ইচ্ছা নকৰিলে। কিয়নো তেওঁ বুজিলে যে ইয়াৰ দ্বাৰা ৰুছিয়াৰ প্ৰতাপান্বিত সম্ৰাটক বশ কৰা অসম্ভৱ। সেই হেতুকে তেওঁ এই বাৰ অষ্ট্ৰীয়াৰ সহায় ললে। অষ্ট্ৰীয়াক পিলচুদস্কিয়ে বুজালে যে যদি তেওঁক তেওঁলোকে পোলদেশীয় সৈন্যবাহিনী এটা গঠন কৰাত সহায় কৰে তেন্তে ৰুছিয়াৰ লগত যুদ্ধ হলে তেওঁলোকে তাৰ পৰা বহুত সহায় পাব। এই কথাত অষ্ট্ৰীয়ানবিলাক সন্মত হল, আৰু তেওঁক ৰাইফেল আদি দি সহায় কৰিলে। যেতিয়া ১৯১৪ চনত ৰুছিয়াৰ লগত অষ্ট্ৰীয়াৰ যুদ্ধ ঘোষণা হল তেতিয়া প্ৰথমতে পিলচুদস্কিয়ে ১৭০ জন লোলেৰে গঠিত অৰ্দ্ধশিক্ষিত সৈন্য বাহিনী এটিৰে যি পাৰে অষ্ট্ৰীয়াক সহায় কৰিলে।

কিন্তু অষ্ট্ৰীয়াই জাৰ্ম্মাণীৰ লগ হৈ যুদ্ধ চলোৱাত পোলাণ্ডত মহা গণ্ডগোলৰ সৃষ্টি হল। পিছে পিলচুদস্কিয়ে সকলো ফালে চাই তেওঁ সহকৰ্ম্মীসকলেৰে সৈতে দেশৰ মানুহক কেতিয়াবা অষ্ট্ৰীয়াৰ পক্ষে যুজ কৰিবলৈ আৰু কেতিয়াবা বিপক্ষে যুজিবলৈ উত্তেজিত কৰিবলৈ ধৰিলে। তেওঁ জানিছিল যে অষ্ট্ৰীয়াক সহায় কৰিলেও অষ্ট্ৰীয়া জাৰ্ম্মাণীয়ে তেওঁলোকক স্বাধীন কৰি নিদিয়ে। সেই কাৰণে তেওঁ নিজেই ইয়াৰ ব্যৱস্থা কৰিবলৈ ধৰিলে,

আৰু মেতিয়া কছ সৈন্যবোৰ পোলাও এৰি ওচি গল তেতিয়া তেওঁ আৰু অনৰ্থক যুদ্ধ কৰি শক্তি ক্ষয় নকৰিলে। কিন্তু তাৰ পিছত তেওঁ কি কৰিব ইয়াৰ সিদ্ধান্ত কৰাৰ আগতে জাৰ্ম্মাণসকলে তেওঁক ম্যাগদিবুৰ্গ নামে ঠাইত বন্দী কৰিলে।

শেহত জাৰ্ম্মাণসকলৰ পৰাজয় হোৱাত তেওঁ মুক্তি পাই দেশলৈ আহিল। দেশত তেওঁক সকলো প্ৰজাই স্বদেশৰ ত্ৰাণকৰ্ত্তা হিচাপে অভিনন্দিত কৰিবলৈ ধৰিলে।

তথাপি দেশৰ অশান্তি নমৰিল। এফালে স্বদেশৰ বিৰুদ্ধবাদী ৰাজনৈতিক দলে আৰু আন ফালে কছ-সকলে তেওঁৰ লগত যুজিবলৈ লাগিল। এবাৰ কছ সৈন্য আহি ওৰাবচৰ ওচৰ পাইছিলহি। পিলডুদস্কিয়ে নিজৰ সামাজ সৈন্যবাহিনীবেই মৰো-জীও-সো-আদিকৈ যুজ কৰি সেই প্ৰকাণ্ড সৈন্যবাহিনীক পৰাজয় কৰি খেদি দিয়ে।

কছ শত্ৰুসকলৰ অস্ত্ৰ পৰিলেও স্বজাতীয় ৰাজনৈতিক শত্ৰুসকলৰ পৰাক্ৰম তেতিয়াও একে ৰকমে থাকিল। সেই হেতুকে অৱশেহত তেওঁ ১৯২৬ চনৰ ৰাজধানীলৈ এটা সামৰিক অভিযান কৰিলে, আৰু তেতিয়াৰ প্ৰেচিডেণ্টক পদচ্যুত কৰি তেওঁ নিজে সেই ঠাই গ্ৰহণ কৰিলে।

পোলাণ্ডৰ মুক্তিদাতা পিলডুদস্কিয়ে বৰ্ত্তমান ৰাষ্ট্ৰনৈতিক জীৱনৰ পৰা অৱসৰ লৈ এটা নিৰ্জ্জন ঘৰত বাস কৰিবলৈ লৈছিল। অলপতে তেওঁ স্বৰ্গী হল। তেওঁৰ মৃত দেহৰ প্ৰতি শ্ৰদ্ধাৰ অঞ্জলি আগ বঢ়াবলৈ গোটেই পোলাণ্ডৰ অধিবাসীয়ে নগৰ ভৰি পৰিছিল।

পোলাণ্ডৰ বৰ্ত্তমান ৰাষ্ট্ৰনায়ক এম, মচিকি।*

* ইংৰাজী প্ৰবন্ধৰ সহায়ত সংগ্ৰহ কৰা—লিখক।

টগৰৰ কথা

—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ

(১)

চ'তৰ শেষত কণহী বহাগী
পালে হি পদুলি কাষ
নতুন জীৱন নতুন যৌৱন
কত আশা অভিলাষ !

(২)

গালত গোলাপ ওঠত কুঙ্কুম
হাতত জেতুকা বোল
কণৌ ফুলৰ লাহতী বেণীত
মাহতী আমোলমোল।

(৩)

অশোক আকুল কণহ বকুল
বঙতে উপচি পৰা
কাঞ্চনীয়ে মুউ ওৰণি ওচাই
শুৱনি কৰিলে ধৰা।

(৪)

বুঢ়া টগৰৰো বগৰ লাগিল
মোৰ ফুলনিতে বই
উলাহে অধীৰ উতলা শৰীৰ
বঙতে বিতত হই।

(৫)

অতি হেপাহেৰে শুকুলা ফুলেৰে
ঢাকিলে গোটেই গা,
ফুলাম কোলাত বহি বহাগীয়ে
পীৰিতি জনায় বা।

(৬)

নৱনৰ সখী বিচৰতী পখী
দিনৰে দিনটো বই
জোৰা-নাম গালে বুঢ়া টগৰেৰে
বহাগীক মোৰাই লই।

(৭)

প্ৰাতটো ফুলতে সুৰভি-নিৰ্য্যাস
মনৰ গুপুত কথা
গধুলিৰ বতাহে চোঁৰৰ চুলালে
বুজিলে হিয়াৰ ব্যথা।

(৮)

উলাহৰ মাদৰী আজি যে মহাগী
নোৱাৰে থিৰেৰে ৰব
প্ৰণয়ী জনক নিবাশ নকৰি
হৃদয় বিলাই দিব।

(৯)

বিচাৰি আহিছে নৱনৰ কোলা
উৰণ দোলাত চৰি
ৰমক জমক লগাই চমক
মদন-মদিৰা ভৰি।

(১০)

সখী দেৱীক বুকুত সাৰটি
গালতে চুমাটি খাই
টগৰৰ গাত ঢেকা ধনি লাগে
গাহকৰ গৰখ পাই।

(১১)

ফুলনিত মোৰ প্ৰণয়ৰ মেলা
যৌৱনৰ জয়-বোল
মই ক্ষুদ্ৰ কবি স্বৰগৰ ছবি
চাই আজি মাত্ৰ ভোল।

(১২)

ইমান মাধুৰী অকলই মই
নোৱাৰোঁ কবিব গান
আহা বৰমানে যৌনদৰ্য্য-সাধক
ই যে সুন্দৰৰ দান !

(১৩)

পাহৰা যতনা কামনা, ভাৱনা
শতেক সংসাৰ লেঠা
সুন্দৰৰ গান সুন্দৰৰ ধ্যান
এয়ে টগৰৰ কথা।

কামাখ্যা-তীর্থ

(কালিকা পুরাণ পরা অনূদিত)

—পণ্ডিত শ্রীযুত কামাখ্যা চরণ ভট্টাচার্য্য

(৪)

নরকে বিষ্ণু আর পৃথিবীর আগর নিচিনাকৈ পূজা নকরা হল, আরু কামাখ্যা দেৱীৰ প্রতিও ভক্তি এবিলে।

নরকাসুৰৰ উপাখ্যানত কামাখ্যা দেৱীৰ কথা

এই ভাবে কিছুমান দিন যোৱাত এসময়ত ব্রহ্মাৰ পুত্র বশিষ্ঠ মুনিয়ে কামাখ্যা দেৱীক দর্শন কৰিবলৈ প্রাগজ্যোতিষপুৰলৈ যাত্রা কৰিলে। নীলকূট পর্ব্বতৰ দুর্গম ভিতৰত নৰকে বশিষ্ঠ দেৱক কামাখ্যা দর্শন কৰিবলৈ নিদিলে। তাৰ পিছত বশিষ্ঠ মুনিয়ে ক্রুদ্ধ হৈ কঠুৱা কথাবে নৰকক গালাগালি কৰি কলে, তুমি মহা-তেজস্বী ব্যাহৰ ঔৰসত পৃথিবীৰ গর্ভত জন্ম লৈ ব্রাহ্মণক দেৱদর্শন কৰিবলৈ কিয় নিদিয়া ; হে দুৰাৰ সন্তান ! তোমাৰ কুলোচিত এইটো কাম হৈছে নে ? মোক মন্দিৰলৈ সোমাব দিয়া, দেৱীক পূজা কৰিম। তাৰ পিছত পৃথিবীৰ পুত্র নৰকে কঠুৱা মাতেৰে মুনিক তিৰস্কাৰ কৰিলে।

তাৰ পিছত মুনিয়ে ক্রুদ্ধ হৈ নৰকক শাপ দিলে, পাপিষ্ঠ ! দুৰাহ-পুত্র ! তই যাৰ ঔৰসত ওপজিছ, সেই মহাত্মাই মনুষ্যৰ ৰূপ ধৰি শীঘ্রে তোক বধিব। পাষণ্ড ! তই মৰাৰ পিছত মই কামাখ্যা দেৱীৰ পূজা কৰিম। তই যিমান দিনলৈকে জীয়াই থাকিবি, তিমান দিনলৈকে জগজ্জননী কামাখ্যা দেৱীয়ে পৰিবাৰবৰ্গৰে সৈতে অন্তর্দ্ধান হওক।

মার্কণ্ডেয় কলে, এই কথা কৈ ব্রহ্মাৰ পুত্র বশিষ্ঠ মুনিয়ে নৰকৰ কৰ্কশ কথাবে বৰকৈ ক্রুপিত হৈ নিজৰ ঠাইলৈ গল। মুনি যোৱাৰ পিছত নৰকে আচৰিত হৈ নীলকূট পর্ব্বতৰ গুহাৰ ভিতৰত কামাখ্যা দেৱীৰ মন্দিৰলৈ গল। মন্দিৰলৈ গৈ কামৰূপেশ্বরী কামাখ্যাক, তেওঁৰ যোনিমণ্ডল আৰু পৰিয়ালবৰ্গকো নেদেখিলে। তাৰ পিছত নৰকে বিমোৰ হৈ মাতৃ বন্ধুহন্তাক আৰু জগতৰ স্বামী গিৰু নাৰায়ণক স্মৰিবলৈ।

* * * *

দেৱী অন্তর্দ্ধান হোৱাৰ কাৰণে, সেই পুৰীত থকা ব্রাহ্মণ আদিয়ে আগৰ দৰে বেদৰ বাক্য উচ্চাৰণ নকৰা হল; আৰু ধর্ম্ম কার্য্যবোৰো লোপ হব ধৰিলে। দেৱগণ, মনুষ্যবর্গ, আৰু মহর্ষি বৃন্দয়ো নৰকৰ ভয়নলৈ নোযোৱা হল। সেই নগৰত যজ্ঞক্রিয়া আৰু উৎসৱ আদি শুরু হল; আৰু বাজ্ঞত ক্রিপ্রৰ উপস্থিত হোৱাৰ বাবে বহুত মানুহে ভয়লীলা সামবিলে।

* ন তথা বিষ্ণুমভ্যেতি পৃথিব্যাং বাপি নার্জতি।
কামাখ্যায়াং তথা ভক্তিস্তস্মাৎ নাস্তৰং ব্রজ॥
এতস্মিন্নন্তৰে ধাতুর্নন্দনো মুনিনত্তমঃ।
বশিষ্ঠে নাম কামাখ্যাং ত্রষ্টুং প্রাগ্জ্যোতিষং গতঃ ॥১০॥
তাং দুর্গাভ্যস্তবে নীলকূটৱৈরী ব্যৱস্থিতাম্।
ত্রষ্টুং গতং বশিষ্ঠন্তু ন ত্বাং নৰকো জ্ঞানং ॥১১॥
ততো বশিষ্ঠঃ কুপিতো বচনং পত্নবাং মুনিঃ।
জগাৰ নৰকং নীলং গর্হয়ন্ মুনিসত্তমঃ ॥১২॥

কথং পৃথিব্যাস্তনয়ো ব্যাহস্য ভৱিতাহজসা।
দেৱীং দ্রষ্টুং ব্রাহ্মণাস্তু ন ৱসাসি তথাগতঃ ॥১৩॥
কিস্তে কুলোচিতং কর্ম্ম তং কথোদি ৱযাম্বয়।
দেৱীং প্রাগ্জ্যোতিষং গত্বা পূজয়িষ্যে জগন্মযীম্ ॥১৪॥
ততঃ স নৰকো ৱাক্যং প্রাপ্তকালং ক্ষিতেঃ সুতঃ।
পরমেনোদ্ধ ৱাক্যেন তমাক্ষিপ্য নিদর্শত্তম্ ॥১৫॥
ততো মুনিঃ স ক্রুপিতঃ শপাল নৰকং নৃপম্।
ন চিৰাদ্ যেন জাতোহসি তেন মানুষ ৰূপিণা।
মৰণং ভৱিতা পাপ ৱযাহকুলপাংসন ॥১৬॥
মৃতে ত্বযি মহাদেৱীং কামাখ্যাং ক্রণতং প্রভুম্।
পূজাদ্বিষ্যাম্যহং পাপ ! ত্বিতি ঘোষ্টে স্ৱমালয়ম্ ॥১৭॥
ইং ধাতুস্তনযো ৱিপ্রো নাম্না ৱশিষ্ঠ ইত্যপি।
সর্ব্বৈঃ পৰিৱৈৰঃ সাদ্ধমন্তর্দ্ধানায় গচ্ছতু ॥১৮॥

মার্কণ্ডেয় উৱাচ।

ইত্যুক্ত্বা ব্রহ্মপুত্রঃ স স্ৱস্থানং প্রতপান্ মুনিঃ।
ৱশিষ্ঠস্তেন ক্রৌদ্রেন নিৱস্তঃ ক্রুপিতো তৃশম্ ॥১৯॥

"গচ্ছহং কামৰূপাস্তপীঠং নীলাচলাহ্বয়ম্।
কামাখ্যানিলয়ং ওহ্যং কুব্জিকাপীঠসংজ্ঞকম্ ॥
আকাশগঙ্গা যত্রাস্তি তত্তৈৱৈৰভিষিচ্য চ।
তত্রাৱাধয়তং পুত্রো মহামায়াং জগন্মযীম্ ॥
সা প্রসন্না চিৱাদেৱী ৱৰদা নৌ ভৱিষ্যতি ॥"

বেতাল-ভৈৰৱৰ নিকটলৈ-প্রসঙ্গত কামাখ্যাৰ উমেখ

হে বেতাল-ভৈৰৱ ! তোমালোক কামৰূপৰ অন্তর্গত নীলাচল নামেৰে সেই পীঠস্থানলৈ যোৱা। সেই ঠাইত কুব্জিকাপীঠ নামে কামাখ্যা দেৱীৰ ওহ্য নিলয় আছে। আকাশী গঙ্গাই সেই ঠাইক পৰিত্র কৰি থাকে। হে পুত্রদ্বয় ! সেই ঠাইত জগন্মযী মহামায়া দেৱীৰ আৰাধনা কৰা। সেই দেৱীয়ে শীঘ্রে প্রসন্না হৈ তোমালোকক ৱৰ দিব।

* * * *

"ততস্তস্যোপদেশেন ৱশিষ্ঠস্তু মহাত্মনঃ।
জগাম্বুস্তেস্ত্রী মহাশৈলং নীলং কামাখ্যায়াগতম্ ॥
তত্র গত্বা মহাত্মানৌ ৱৈষ্ণৱী তত্র গোচনম্।
আদায় জাতাং তাং দেৱীং মহামায়াং জগন্মযীম্ ॥
ভৈৰৱাখ্যস্তু লিঙ্গস্তু নিকটস্থৌ শিৱাত্মনঃ।
আকাশগঙ্গামাপ্লাৱ্য স্থণ্ডিলে মণ্ডলোত্তমম্।
ৱিধায় নৱশার্দ্দূলৌ জেগতুমমন্ত্রণম্ ॥

* * * *

তাৰ পিছত সেই বেতাল আৰু ভৈৰৱে মহাত্মা ৱশিষ্ঠ মুনিৰ উপদেশ মতে কামাখ্যা দেৱীৰ আশ্রয় নীল নামেৰে পর্ব্বতলৈ গল। নৱশ্রেষ্ঠ বেতাল আৰু ভৈৰৱে সেই ঠাইলৈ গৈ ভৈৰৱ নামেৰে শিৱলিঙ্গৰ ওচৰত থাকি আকাশী গঙ্গাত গা ধুই অম্বিজাদেৱী মহামায়াৰ মন্ত্র জপিছিল।

[৭ম আধ্যা কালিকাপুৰাণ]

"কামাখ্যাত্রিপুৰাদীনামন্ত্রাসামপি পূজনম্।
সকৃৎ কৃত্বা পীঠযাত্রাং চেৱকুর্ৱিধিৱদ্ভৱাঃ ॥

এৱং তৌ বদ্ধ করটৌ কৃতন্যাসৌ হৱাব্জজৌ।
সুপ্রীতা চানুজগ্রাহ মহামায়াথ তৌ তদা ॥
ধ্যানস্থয়োস্তু জপতোর্ৱিষ্টতোশ্চ জগন্মযী।
শিৱলিঙ্গং ৱিনির্ভিদ্য তদা প্রত্যক্ষতাং গতা ॥
তাভ্যাং ৱিনির্গতায়াস্তু শিৱলিঙ্গং ত্রিধাভৱৎ।
ভৈৰৱো ভৈৰৱী চেতি হেকশ্চণ্ড তথা ক্রমঃ ॥
তাং দৰ্শণ তদা দেৱীং ৱেতালো ভৈৰৱস্তদা ॥

কামাখ্যা, ত্রিপুৰা আৰু আন আন দেৱীৰ এৱাৰৈকে পূজা কৰি ৱিধি মতে পীঠযাত্রা কৰিছিল। এই ভাৰে মহাদেৱৰ সেই পুত্র দুজনে কৰচ ধাৰণ আৰু ন্যাস কৰি সন্তুষ্ট হলত, মহামায়াই তেওঁলোকক অনুগ্রহ কৰিছিল। তেওঁলোকে ধ্যানমগ্ন হৈ মন্ত্রজপ আৰু মনে মনে জগন্মযী দেৱীৰ পূজা কৰিব ধৰিলে, এনেকুৱা সময়ত মহামায়াই শিৱলিঙ্গ ভেদি তেওঁলোকক দেখা দিলে। লিঙ্গৰ পৰা দেৱী ওলোৱাৰ পিছত সেই লিঙ্গ ভৈৰৱ, ভৈৰৱী আৰু হেকক এই তিনি প্রকাৰে ৱিভক্ত ছিল। ৱেতাল আৰু ভৈৰৱে তেতিয়া সেই দেৱীৰ মূর্ত্তি দেখিছিল।

* * * *

কামাখ্যায়া ওহাং তত্র দর্শয়িত্বা মনোভৱাম্।
ততঃ স্ত্রীয়াং কামওহাং ছাগাচ্ছত্রং স্ৱমালয়ম্ ॥
স্ৱকীয়ং পঞ্চমূর্ত্তীনাং সংস্থানঞ্চাপ্যদর্শয়ৎ।
কামৰূপস্তু সকলং পীঠং দেৱময়ং তথা ॥

প্রথমতে মনোভৱা কামাখ্যাৰ ওহা দেখাই তাৰ পিছত নিজৰ কামওহা, ছাগা, ছত্র, নিজৰ আলয় আৰু নিজৰ পঞ্চমূর্ত্তিৰ সংস্থানো দেখুৱাইছিল। [৭ম আধ্যা

কালিকাপুচাণ]

—ক্রমশঃ

গতে ৱশিষ্ঠে নৰকঃ শীঘং ৱিষ্ণুমনুত্তমং।
জগাম দেৱীভৱনং নীলকূটং মহাগিৰিম্ ॥২০॥
তুত্র গত্বা ন চাপশ্যাৎ কামৰূপিনীম্।
ন যোনিং মণ্ডলং তস্যাঃ সকানং পৰিৱৰ্ত্তাংশ্চথা ২১॥

ততঃ স ৱিমনা ভূৱা ক্ষিতিং সম্পাৱ মাতৰম্।
পিতৰঞ্চ জগন্নাথং নৰকঃ প্রভুমব্যয়ম্ ॥২২॥

* * * *

ৱেদ্যামস্থহিতাঞ্চাস্ত্র ৱেদৱাদৱিৱর্জ্জিতম্।
পুণ্যপল্লৱাৱগুক্তং তপ্তপুৱ সমপ্তত ॥২৩॥
ন ৱেণাস্তত্র গচ্ছন্তি ন ৱিদ্যা ন মহত্তরঃ।
ৱভূৱ নগৱং তত্ত স্বয়ম্ভুজ্যোতিষেসদম্ ॥২৪॥
ঽহতো বহৱো জাতা মৃতাশ্চ বহৱো জুনাঃ ॥"

মহিলা জগত

মহীয়সী মহিলাৰ সম্বৰ্দ্ধনা



শ্ৰীমতী অমৃত কাওৰৰ অসম ভ্ৰমণ উপলক্ষে তেখেতক তেজপুৰ ঘাটৰ পৰা আনি সজোৱা বাহৰৰ পদূলিত মহিলাসকলে দীপ-ধূপ আদিৰে শঙ্খ বজাই আদৰি অনাৰ দৃশ্য।

ফটো—পি, সিংহ

সাহিত্য সভা
ASAM SAHITYA SABHA

~~৫২৮০~~ ৫২৭৯/অ:



শ্ৰীমতী অমৃত কাওৰক আদৰি আনি বাহৰৰ ভিতৰলৈ নিয়াৰ সময়ত তেজপুৰ মহিলা সমিতিৰ সম্পাদিকা শ্ৰীমতী চন্দ্ৰবালা পটঙ্গীয়াই হাতত দীপ-ধূপৰ কাঁহিখন লৈ আহিছে—বাওঁফালে শ্ৰীমতী কাওৰ।

ফটো—পি, সিংহ

১৪, জগন্নাথ দত্ত লেন কলিকাতা, লক্ষ্মীবিলাস প্ৰেছ লিঃত, ডাক্তাৰ শ্ৰীদীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

৫২৮০/আ:
১১.৬.৯৯

আৱাহন



স্বামী বিবেকানন্দ

ফুয়েল অফ ইণ্ডিয়া প্ৰেছ, কলিকতা



৫২৮০/অ:

গুৱাহাটী কলেজিয়েট স্কুলৰ শত বাৰ্ষিক উৎসৱ উপলক্ষে স্কুলৰ স্থাপকক্ত
কলেজ ডেকাৰেচিয়ন চাকিলাৰ কৰ্তৃক সাজেত ডাঙৰীয়া স্কুটি ওপৰা।

৬ষ্ঠ বছৰ, ৮ম সংখ্যা] জেষ্ঠ [১৮৫৭ শক

ব্ৰহ্মধৰ্ম্ম পুৰাণত কামৰূপৰ খ্যাতি

—শ্ৰীযুত সোণাৰাম চৌধুৰী

[পূৰ্ব্বখণ্ড—১৪শ অধ্যায়]

কুৰুক্ষেত্ৰং তথা যত্ৰ জামদগ্ন্যস্য বৈ যশঃ।
সাম্বুদস্য তথা সেতুৰযোধ্যা চ তথা পুৰী ॥১১
গোতমস্যাশ্ৰমঃ পুণ্যঃ তীৰ্থং প্ৰোক্তং মনীষিভিঃ।
তীৰে ব্ৰহ্মনদস্যাপি কামকোষ্ঠী চ পুণ্যদা ॥১২
কামৰূপমিতি খ্যাতং যত্ৰ যোনিঃ শিবা মতা।
দক্ষালয়ে মৃতায়া যে যত্ৰ যোনিঃ পপাত হ ॥১৩
উড্ডিয়ানং তথা পুণ্যাং পীঠং মঙ্গলকোষ্ঠকম্।
জ্ঞাতয়ো বহবো যত্ৰ মতং তৎ তীৰ্থমুত্তমম্।

পৰতবামৰ যশস্যা স্থান কুৰুক্ষেত্ৰ, সেতুবন্ধ, অযোধ্যাপুৰী১ গোতম আশ্ৰম, ব্ৰহ্মনদৰ তীৰত থকা পুণ্যদায়িনী কামকোষ্ঠি যি ঠাইত দক্ষকন্যা সতীয়ে দেহত্যাগ কৰাত তেওঁৰ অঙ্গ পৰিছিল সেয়ে কামৰূপ নামে প্ৰসিদ্ধ স্থান, উড্ডয়িনী পুৰত মঙ্গলকোষ্ঠ পীঠ—যত মই মঙ্গলচণ্ডীৰূপে অৱস্থিতি কৰি সকলোবে ববদায়িনী হৈ আছো আৰু যি স্থলত বহু জ্ঞাতি-বৰ্গৰ বাস, সেই স্থান পৰম তীৰ্থ বুলি খ্যাত।

(দুৰ্গাই সখিয়েকহঁতক কৈছে।)

মধ্যখণ্ড—দশম অধ্যায়

তীৰ্থচূড়ামণি স্তত্ৰ যত্ৰ যোনিঃ পপাত হ।
তীৰে ব্ৰহ্মনদাখ্যস্য মহাযোগস্থলং হি তৎ ॥ ৩৭
কালীপুৰাণে বিজ্ঞেয়ং মুনে বিৰবণং ততঃ।
মাহাত্ম্যং তস্য দেশস্য বিষ্ণুৰ্জানাতি নাপৰ : ॥৩৮

(শুকদেৱে জৈমিনিৰ আগত কৈছে)—যি স্থানত সতীৰ যোনি পতিত হৈছিল, সেই ঠাই তীৰ্থচূড়ামণি, এই ঠাই ব্ৰহ্মনদৰ (ব্ৰহ্মপুত্ৰৰ) তীৰত মহাযোগস্থল। কালী পুৰাণত (কালিকাপুৰাণত) ইয়াৰ বিৱৰণ বিশেষৰূপে বৰ্ণোৱা আছে ; সেই ঠাইৰ মাহাত্ম্য বিষ্ণুৱে হে জানে, আন কোনেও নাজানে।

নাৰদ উবাচ।

খণ্ডখণ্ডীকৃতো দেহঃ সত্যাস্তঞ্চ লঘুঃ কৃতঃ ॥৪৭
দৃশ্যতাং যত্ৰ যত্ৰৈৱ পতিতা অঙ্গসঞ্চয়াঃ।
মহাপীঠাশ্চ তে ভূতাঃ কামৰূপাদয়ো হৰ ॥৪৮

(নাৰদে শিৱক কৈছে—বিষ্ণুৱে চক্ৰেৰে) সতীৰ দেহ খণ্ড খণ্ড কৰি পেলাই আপোনাৰ মূৰৰ ভাৰ কিছু কমাইছে। সৌ দেখক, সতীৰ অঙ্গসমূহ যতে যতে পৰিছে সেই সেই ঠাই মহাপীঠ স্থান হৈ কামৰূপাদি নামত অভিহিত হৈছে। (ইয়াত পীঠৰ শ্ৰেষ্ঠত্ব দেখাবৰ নিমিত্তেই কামৰূপৰ প্ৰথম উক্তি)।

শুক উবাচ।

ইত্যুক্তঃ স মহাদেৱো দদৰ্শ যোনিমণ্ডলম্।
লোমাঞ্চিত সমগ্ৰাঙ্গো বভূৱ দৰ্শনাৎ ততঃ ॥৪৯
দৃষ্ট মাত্ৰা সা যোনিঃ শম্ভুনা মুনিপুঙ্গৱ।
ধৰাং বিভিদ্য পাতালং গচ্ছতীৱ বভূৱ হ ॥৫০
তদা তু ব্যাকুলং সৰ্ব্বং দৃষ্ট্বা দেৱো মহেশ্বৰঃ।
স্বয়ং গিৰিবৰো ভূত্বা দধ্ৰে তদ্ যোনিমণ্ডলম্ ॥৫১
ব্ৰহ্মাবিষ্ণুশ্চ তত্ৰাপি সাহায্যাৰ্থ মুপাগতৌ।
সৰ্ব্বে ভূতাশ্চতুৰ্ভাগং দেৱীং ধৰ্ত্তুং ভগাত্মিকাম্,
হৰশ্চ পৰ্ব্বতো ভূত্বা ধৃত্বা যোনিঞ্চ মোদিতঃ ॥৫২
যত্ৰ যত্ৰ সতী দেহ ভাগস্তত্ৰ স্বয়ং মুনে।
পাষাণ লিঙ্গ ৰূপেন হ্যধিষ্ঠায় ব্যষেৱত ॥৫৩

নাৰদৰ বাক্য শুনি মহাদেৱে সেই যোনিমণ্ডল নিৰীক্ষণ কৰিলে ; চাওতে তেওঁৰ সৰ্ব্বাঙ্গ ৰোমাঞ্চিত হৈ (সিয়ঁৰি) উঠিল। মহাদেৱৰ দৰ্শন মাত্ৰকতে সেই যোনিমণ্ডল পৃথিবী ভেদ কৰি পাতাললৈ যোৱা যেন দেখা গল। তেতিয়া সকলোৱে ব্যগ্ৰ হোৱাত মহেশ্বৰে নিজে পৰ্ব্বত ৰূপ ধৰি সেই যোনিমণ্ডল ধৰিলে। ব্ৰহ্মা, বিষ্ণু তেওঁৰ সাহায্যাৰ্থে আহিল ; সকলো প্ৰাণীয়ে সেই ভগাত্মিকা দেৱীক ধাৰণ কৰিবলৈ তাত উপস্থিত হল। মহেশ্বৰে পৰ্ব্বতৰূপে যোনিমণ্ডল ধৰি পৰম আনন্দ পালে আৰু যি যি ঠাইত সতীৰ দেহ-ভাগ পৰিছিল, সেই সেই ঠাইতে দেৱীৰ আৰাধনা হেতুকে শিলাৰ লিঙ্গৰূপে অধিষ্ঠিত হল। (এই বৰ্ণনা অন্য কথাৰে কালিকা পুৰাণতো আছে)।

মহাদেৱে সতীক হেৰুৱাই পুনৰ্ব্বাৰ 'সতী ক'ত ? সতী ক'ত ?' বুলি নাৰদক বিহ্বল ভাৱে সুধিছিল। তেতিয়া

নাৰদ উবাচ।

ইহৈৱ কামৰূপে ত্বং যোগেনাধায় মানসম্।
বিশ্ৰাম্য তে সতীং দেৱীমন্বেষ্টুং প্ৰব্ৰজ্যামহম্ ॥৫৫।
মা চঞ্চলত্বং গন্তব্যং মান্যভাবঃ কদাচন।
ত্বামৃতে ন সতী ক্বাপি বৎস্যতে চিৰতঃ প্ৰভো।
অহং তে দৰ্শয়িষ্যামি সতীং সত্যেন তে শপে ॥৫৬

নাৰদে কলে,—আপুনি এই কামৰূপতে যোগাৱলম্বী হৈ বিশ্ৰাম কৰোক। মই সতী দেৱীৰ অন্বেষণ কৰিবৰ নিমিত্তে যাব ওলাইছোঁ। আপুনি চঞ্চল নহব আৰু আন ভাৱ আশ্ৰয় নকৰিব। সতীয়ে আপোনাত বাজে আন কাকো আশ্ৰয় নকৰে। প্ৰভো, মই শপত কাঢ়ি কৈছোঁ, মই সতীক আপোনাক আনি দেখাম।

শুক উবাচ।

ইত্যুক্ত্বা দেৱদেৱশং তং প্ৰণম্য মহেশ্বৰম্।
যযৌ বিহায়সা তত্ৰ শম্ভুশ্চ শান্তিমান্ স্থিতঃ ॥৫৭

শুকদেৱে কৈছে—দেৱৰ্ষি নাৰদে এই বুলি মহেশ্বৰক প্ৰণাম কৰি আকাশ পথেদি গমন কৰিলে, সম্ভূও তাত (কামৰূপত) শান্তিৰে থাকিল।

যেতিয়া নাৰদে শিৱক প্ৰবোধ দি কামৰূপত থৈ যায়, তেতিয়া ব্ৰহ্মা-বিষ্ণুয়ে সকলো দেৱতাকে লৈ মহাদেৱক দৰ্শন কৰিবলৈ কামৰূপলৈ আহিছিল। শ্লোকাংশ যেনে :—

ব্ৰহ্মা বিষ্ণু যুতাঃ সৰ্ব্বে শিৱং দ্ৰষ্টু মুপাগতম্ ॥৭৪

পুনঃ—

একাদশ অধ্যায়

ততোব্ৰহ্মা চ বিষ্ণুশ্চ তপস্যান্তং মহেশ্বৰম্।
আগত্য বৈ দদৃশতুঃ কামৰূপে মহাপ্ৰভুম্ ॥১।

তাৰ পিছে ব্ৰহ্মা আৰু বিষ্ণুৱে কামৰূপৰ য'ত মহেশ্বৰে তপস্যা কৰিছিল, তাত উপস্থিত হৈ মহাপ্ৰভু ত্ৰিলোচনক সাক্ষাৎ কৰিছিল হি।

তেতিয়া ব্ৰহ্মা বিষ্ণু আদিয়ে শিৱক নানা ৰকম প্ৰবোধ দি কলে,—

তস্যাস্তে খলু ভাৰ্য্যায়া দাক্ষায়ণ্যা মহেশ্বৰ।
প্ৰকল্পিতং মহাপীঠং কামৰূপাখ্যমদ্ভুতম্ ॥১৩

হে মহেশ্বৰ, আপোনাৰ ভাৰ্য্যা দাক্ষায়ণীৰ কামৰূপাখ্য এই স্থান মহাপীঠ বুলি প্ৰকল্পিত হল।

২৪শ অধ্যায়

অযোধ্যা মথুৰা মায়া কাশী কাঞ্চী অৱন্তিকা।
পুৰী দ্বাৰাৱতী চৈৱ সপ্তৈতা মোক্ষদায়িকা ॥৬
অযোধ্যা ৰামনগৰী মথুৰা কৃষ্ণপালিকা।
মায়া চ কামৰূপাখ্যা কাশী শিৱপুৰী ন ভূঃ ॥৭
শিৱকাঞ্চী বিষ্ণুকাঞ্চী কাঞ্চীযুগ্মঞ্চ সম্মতম্।
অৱন্তী চ সমুদ্ৰস্য তীৰে শ্ৰীপুৰুষোত্তমঃ ॥৮
দ্বাৰাৱতী সমুদ্ৰস্য মধ্যে কৃষ্ণকৃতা পুৰী।
এতাস্তু পৃথিবীমধ্যে ন গণ্যন্তে কদাচন ॥৯
শ্ৰীৰামধনুৰগ্ৰস্থা অযোধ্যা হি মহাপুৰী।
মথুৰা কেশৱপ্ৰেষ্ঠা সুদৰ্শনবিধাৰিতা ॥১০
মায়া চ শিৱলিঙ্গস্থা ব্ৰহ্মবিষ্ণাদি সেৱিতা।
কাশী শিৱ ত্ৰিশূলস্থা কাঞ্চো হৰিহৰাত্মকঃ ॥১১
ৰামদক্ষিণ হস্তাভ্যাং ধৃতো যো দ্বিজপুঙ্গৱ।
অৱন্তিকা পুৰী দিব্যা হৰেঃ পদ্মোপৰিস্থিতা ॥১২
পুৰী দ্বাৰাৱতী বিষ্ণোঃ পাঞ্চজন্যোপৰিস্থিতা।
এতা সৰ্ব্বা মুক্তিদাত্ৰ্য একত্ৰ গণিতাঃ সুৰৈঃ ॥১৩
একতো বৈ সুৰধুনী শিৱশিৰ্ষোপৰি স্থিতা।

(ব্যাসে জৈমিনিক কৈছে)—অযোধ্যা, মথুৰা, মায়া, কাশী, কাঞ্চী, অৱন্তী আৰু দ্বাৰাৱতী এই সাতখন মুক্তিক্ষেত্ৰ। ইয়াৰ ভিতৰত অযোধ্যা শ্ৰীৰামচন্দ্ৰৰ নগৰী, মথুৰা কৃষ্ণপালিতা নগৰী, মায়া কামৰূপ নামক পীঠ, কাশী শিৱপুৰী, কাঞ্চী দুখন—শিৱকাঞ্চী আৰু বিষ্ণুকাঞ্চী—সমুদ্ৰৰ তীৰত অৱন্তীত শ্ৰীপুৰুষোত্তম, আৰু দ্বাৰাৱতী (দ্বাৰকা) সমুদ্ৰৰ মাজত থকা কৃষ্ণনিৰ্ম্মিত পুৰী এই সাতখন ঠাই পৃথিবীৰ ভিতৰত গণ্য নহয় অৰ্থাৎ পৃথিবীতকৈ শ্ৰেষ্ঠ। অযোধ্যা মহাপুৰী শ্ৰীৰামচন্দ্ৰৰ ধনুৰ আগত স্থাপিত, কেশৱৰ প্ৰিয় মথুৰা নগৰী সুদৰ্শন চক্ৰেৰে ধৰি থকা ; ব্ৰহ্মা, বিষ্ণু আদি দেৱগণ-সেৱিত মায়ানগৰী শিৱলিঙ্গৰ ওপৰত স্থাপিত, কাশী শিৱৰ ত্ৰিশূলৰ ওপৰত আৰু শিৱকাঞ্চী আৰু বিষ্ণুকাঞ্চী বাম আৰু দক্ষিণ হাতেৰে ধৰি থকা ; দিব্য পুৰী অৱন্তী হৰিৰ পদ্মৰ ওপৰত স্থাপিত, আৰু দ্বাৰাৱতী বিষ্ণুৰ পাঞ্চজন্য শঙ্খৰ ওপৰত পতা। এইবোৰ নগৰীক মোক্ষদায়িনী বুলি দেৱতাসকলে যেনে দৰে গণনা কৰে, শিৱৰ মূৰৰ ওপৰত থকা সুৰধুনী গঙ্গাও তদ্ৰূপ।

ওপৰত দিয়া শ্লোক কেফাকিৰ পৰা স্পষ্ট দেখা যায় যে, আমাৰ কামৰূপৰ আন এটা নাম 'মায়া'। বৰ্ত্তমান কামৰূপ জিলাৰ পূব দাঁতিত থকা 'মায়াং' নামৰ মৌজাই আজিও সেই প্ৰাচীন নামৰ অস্তিত্ব ৰাখি আহিছে। ই মায়াৰ অঙ্গ বা ভাগ দেখি, ইয়াৰ নাম মায়াং হোৱা একো অসম্ভৱ নহয়। আজিও এই মায়াঙতে লুকীমায়া আদিৰ মন্ত্ৰ-তন্ত্ৰ বহুত আছে। কোনো কোনো বঙালী স্কলাৰে কাশ্মীৰ, হৰিদ্বাৰ * আদিৰ প্ৰাচীন নাম 'মায়া' বুলি অনুমান কৰে। কিন্তু তেওঁলোকৰ অনুমান ভুল।

উত্তৰ খণ্ড

১৬শ অধ্যায়

হতেষ্বেৱং ষট্সু তেষু কংসেন সুদুৰাত্মনা।
ৰক্ষায়ৈ সপ্তমস্যাৰ্থ বিষ্ণুঃ পৰমপুৰুষঃ।
উপতস্থে কামৰূপে দেৱীমসুৰনাশিনীম্ ॥৩৬

(ব্যাসে কৈছে) দুৰ্ম্মতি কংসে বসুদেৱৰ ছয় পুত্ৰ এইৰূপে মৰাত পৰম পুৰুষ বিষ্ণুৱে বসুদেৱৰ সপ্তম পুত্ৰ

* Indian Culture, April 1935, Vol I, No. 4. সংখ্যাৰ ৫৬১ পৃষ্ঠাত "The Hindu Conception of the motherland" প্ৰবন্ধত Dr. Radha Kumud Mookherji এ মায়াক বন্ধনীৰ ভিতৰত Hardwar (হৰিদ্বাৰ) বুলি দেখুৱাইছে। —লেখক।

ৰক্ষাৰ নিমিত্তে কামৰূপত অসুৰনাশিনী দেৱীক স্তৱ কৰিব ধৰিলে। স্তৱৰ এটা শ্লোক তলত দিলোঁ :—

দেৱীং নবীনঘননীলসুচাৰু ৰূপাং
হেমজ্বলদ্রুচিৰ নূপুৰশিঞ্জিতাঙ্ঘ্রিম্।
প্রত্যদ্দূলীদলনখচ্ছসৰূপচন্দ্র
সংসেবিতে বিজয়দে ভবতীং নমামি ॥৩৭

দেৱীয়ে স্তৱত সন্তুষ্ট হৈ দেখা দি সোধাত বিষ্ণুৱে কলে "মই ভূমিৰ ভাৰ হৰণৰ কাৰণে পৃথিবীত অৱতাৰ ধৰিম। সেই বিষয়ে আপোনাৰ সাহায্য প্রার্থনা কৰোঁ"। তেতিয়া দেৱীয়ে কলে :—

ত্বং যাহি দেবকীগর্ভমষ্টমং ভগবন্ হৰে।
গোকুলে তু যশোদায়াং গোপিন্যাং সম্ভৱাম্যহম্ ॥৪৯
নন্দস্য বাসনাপূর্ত্তিং ত্বং কৰিষ্যসি গোকুলে।
অহঞ্চ মথুৰামেত্যচ্ছলয়িষ্যামি তে ৰিপুম্ ॥৫০
অহং তে ভ্রাতৰং জ্যেষ্ঠং দেবক্যা গর্ভতো হৰে।
আকৃষ্য ৰোহিণী গর্ভে স্থাপয়িষ্যামি গোকুলে ॥৫১
এবমেব কৰিষ্যামি সংস্মৃতা সংস্মৃতা ত্বয়া।

ভগৱতীয়ে কলে—তুমি দেৱকীৰ অষ্টম গর্ভত প্রবেশ কৰা গৈ। মই গোকুলত যশোদা গোপিনীৰ গর্ভত আবির্ভূত হম। তুমি গোকুলত নন্দৰ বাসনা পূর্ণ কৰিবা, মই মথুৰালৈ আহি তোমাৰ শত্রু কংসক ছলনা কৰিম। হে হৰি! মই তোমাৰ জ্যেষ্ঠ ভ্রাতৃক দেৱকীৰ গর্ভৰ পৰা আকর্ষণ কৰি গোকুলত ৰোহিণীৰ গর্ভত স্থাপন কৰিম। যেতিয়াই যেতিয়াই তুমি মোক স্মৰণ কৰিবা তেতিয়াই তেতিয়াই এইৰূপে তোমাৰ কাম সাধিম।

শ্রীমদ্ভাগৱততো (দশম স্কন্ধত) বিষ্ণুৱে এইৰূপে যোগমায়াৰ আশ্রয় লোৱাৰ উল্লেখ আছে।

ওপৰত যিবিলাক শ্লোক উদ্ধাৰ কৰা হল, তাৰ পৰা দেখা যায়, আমাৰ দেশ কেৱল ঋষি-মুনিৰে আশ্রম-পূর্ণ স্থান এনে নহয়; ই দেৱতাৰো তপস্যা স্থল বা লীলাভূমি আছিল। ই এতিয়াও দেৱী কামাখ্যাৰ মহাপীঠৰ কাৰণে ভাৰতৰ নমস্য হৈ ৰৈছে। ইয়াৰ প্রাচীন কি আধুনিক মাহাত্ম্য অতুলন। সেই কাৰণেই পুৰাণকাৰে এটা কথাতে মোখনি মাৰি লিখিছে—

"মহাত্যং তস্য দেশস্য বিষ্ণুর্জানাতি নাপৰঃ।"

পঞ্চ-প্রদীপ

[নাটৰ হৈ এগছি]

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ

অসমে প্রাচীন ভাৰতৰ ধাৰাবাহিক কৃষ্টিৰ লগে-লগে স্বাধীনতাৰ গৌৰৱ আজি এশ বছৰৰ আগলৈকে ৰাখি আহিছে। বিজেতাৰ বিজাতীয় জুতিৰ ছাট নপৰাকৈ ভাৰতীয় প্রাচীন চর্চ্চাৰ ধাৰা ধুতিয়ে ধুতিয়ে দিব পৰা-প্রদেশ আজিও ভাৰতত এক অসম আৰু ইখনি দাক্ষিণাত্য। বর্ত্তমান অসমীয়া বুলিলে আর্য্য জাতিৰ পৰা প্রায় সকলো স্তৰৰেই অনার্য্য জাতিৰে গঠিত এটি প্রাদেশিক জাতি বুজায়। গতিকে এই জাতিটিত নাট্যলীলাৰ সকলো স্তৰৰে চানেকি আজিও জিলিকি আছে। উজনি অসমৰ ঢোল, পেপা, তালেৰে বিহুৰ নাচ, মঙ্গলদৈৰ দীঘলীয়া ঢোলৰ ঢুলীয়া, গোৱালপাৰাৰ সৰু ঢোল আৰু কালিৰ বাজনা, কামৰূপৰ জয়ঢোল আৰু কালীয়া-ঢুলীয়া এই সকলোখিনি স্তৰে স্তৰে নাট্যলীলাৰ ক্রমবিকাশৰ চিন জাতিয়ে জাতিয়ে ৰৈ গৈছে। নাট্য-লীলাৰ লেখত এই সকলোখিনিৰ ভিতৰত কামৰূপৰ ঢুলীয়া বিশেষকৈ লেখত লব লগীয়া। ই ইটালীৰ 'মাইম'ৰ দৰে—ঢোলৰ ছেৱে ছেৱে শাৰীৰিক ব্যায়াম আৰু মাজে মাজে সমাজ বা ব্যক্তিগত আক্রমণেৰে ভাৱৰীয়াৰ ধেমেলীয়া

ভাও। সমাজ শাসনত এই ঢুলীয়াৰ ভাও অতি লাগতিয়াল। মাজে মাজে কামৰূপৰ ভাৱৰীয়া একোজনে এনে হাস্যৰসৰ কথা একোটি কয় যি কথাই সকলো যুগৰ শ্রেষ্ঠ নাট্যকাৰৰ মর্য্যাদাও অটুট ৰাখিব। গোৱালপাৰা বা উজনিৰ যি কালি সিয়ো হয়তো মুছলমান ৰাজত্বত কোনো সুৰজ্ঞৰ হাতত পৰি চঁচা-চোৰোকাত ক্ষীণ হৈ বঙ্গদেশৰ 'শানাই' হ'ল। আৰু তাৰ বুলনিত উত্তৰ ভাৰতৰ ৰাগিণীৰ আলাপ ফুটিবলৈ ধৰিলে।

নাগানন্দ ইন্দ্রোৎসৱত অভিনীত হোৱাৰ কথাৰ পৰা বেছ বুজিব পাৰি খৃষ্টীয় অষ্টম আৰু নবম শতিকাতো প্রাচীন কামৰূপৰ অন্ততঃ পশ্চিম ভাগত ইন্দ্রোৎসৱ হৈছিল। এই ইন্দ্রোৎসৱতে নাট্যলীলাৰ আদি অভিনয়। ইয়াৰে উল্লেখ ভগৱান বাল্মীকিয়ে ৰামায়ণত একাধিকবাৰ কৰি গৈছে।—কোনো বীৰ যুদ্ধক্ষেত্রত পৰিলে উপমাৰ ছলেৰে আদি কবিয়ে কৈছিল,—"যেন উৎসৱৰ অন্তত ইন্দ্রধ্বজৰ দৰে মাটিত পৰিল।" অতি পুৰণি এই ইন্দ্রোৎসৱ আজিও নেপালৰ স্বাধীন হিন্দু ৰজাই পালন কৰে। মৈমনচিং আৰু ৰংপুৰত ইয়ে আজিও 'বাঁশ পূজা' নামে প্রচলিত। শৰত কালৰ এই উৎসৱ খেতি-খালাৰ অসুবিধাত মুকলি মন আৰু পথাৰৰ অভাৱত বহাগৰ আজৰীয়া বতৰলৈ আনি কামৰূপৰ নলবাৰী অঞ্চলৰ লোকসকলে আজি কালিও পালন কৰে। সেই অঞ্চলত ইয়াৰ নাম ভঠেলি; * আৰু যি ডালি ইন্দ্রধ্বজ পোতে পাঁচ ৰঙীয়া কাপোৰ মেৰাই মেৰাই তাৰ নাম কৰি লৈছে পাকৰা বা পাউৰা। ঠাই বুজি মাজে মাজে আজিও এই ধ্বজৰ তলত ঢুলীয়া বা বায়েনীয়া উঠে। একালত চাগৈ এই উৎসৱত অভিনয় মুখ্য আছিল। আজি কালি জুতি পৰিবর্ত্তনৰ লগে লগে সি গৌণ হৈ হাট বজাৰৰ মেলা মুখ্য হৈ পৰিল।

ইয়াৰ লগে লগে কামৰূপ আৰু মঙ্গলদৈৰ ওজা-পালী। ওজা-পালীৰ অকল ওজা বা ডাইনা পালীৰ প্রাধান্যলৈ চাই তাক নাট্য শাস্ত্রৰ ভাণ বা বিথী শ্রেণীৰ অভিনয়েৰে বিজাবলৈ ললে ভালেখিনি নাটনি পৰে—প্রাচীন ৰামায়ণৰে এটি জীয়া সুঁতি বুলি ধৰিলেহে ভালকৈ ৰজিতা যায়। ওজা-পালী গীত-মাত আৰু নৃত্য-অভিনয়েৰে এক করুণ কাব্যৰ আবৃত্তি,—ওজা আৰু ডাইনা পালীয়ে গীতেৰে অভিনয় কৰি যায়, আৰু মাজে মাজে ওজাক কেৱল অঙ্গৰ অভিনয় কৰিবলৈ আঁজৰাই দি এদল পালীয়ে এবাৰ আগলৈ আৰু এবাৰ পাছলৈ নাচোনৰ খোজ চলাই খুটি তাল বাই বাই চাহিনি বা ৰাগৰ তানেৰে ওজাই দিয়া পদ দোহাৰি থাকে। এই অভিনয় শঙ্কৰদেৱৰো আগৰ। বর্ত্তমান বেচিকৈ চলন্তি হোৱা বেহুলা লখিন্দাৰৰ করুণ কাহিনীৰ কবি 'মনকৰ' নীলাচলৰ কায়স্থ কবি দুর্গাবৰৰো বহুত আগৰ। কবি দুর্গাবৰে বাহুবল্ল চিক্‌দাৰৰ পৰা তাল্, মান্, ৰাগ আদিৰ শিক্ষা কৰিছিল। তেতিয়া কামৰূপৰ ৰজা বিশ্বসিংহ। এইজনা ৰজাৰ পুতেকেই অসমৰ বিক্রমাদিত্য নৰনাৰায়ণ—যাৰ ৰাজত্বৰ পৰাই শাঙ্কৰ যুগৰ প্রায় দুশ বছৰৰ আগৰ মঙ্গলদৈৰ সভাপণ্ডিত সুকবি নাৰায়ণৰ চেষ্টাত ওজাপালীৰ অভিনয়ে আৰু বল পায়। আজিও ওজা-পালীয়ে যি 'সুকনান্নী'ৰ পদৰ কথা কয় সি সম্ভৱতঃ 'সুকবি নাৰায়ণী' পদৰে অপভ্রংশ। ইয়াৰ বহু আগতে হয়তো সর্ব্বসাধাৰণে সংস্কৃত নুবুজা হোৱাত প্রাদেশিক ভাষালৈ কোনো কোনো কবিয়ে ৰংপুৰৰ ৰুদ্রসিংহৰ আমোলত ৰুচিনাথ দ্বিজে চণ্ডীৰ পয়াৰ কৰি দিয়াৰ দৰে মুখে মুখে ৰামায়ণ বা মহাভাৰতৰ করুণ কাহিনীৰ পয়াৰ কৰি দিছিল, আৰু এই পয়াৰকে এৰা ধৰাকৈ নলবাৰী অঞ্চলৰ ৰাইমন বা ৰামায়ণ গোৱা, আৰু বিয়াহ বা ব্যাস গোৱা ওজাই আজিও গাব লাগিছে। শাঙ্কৰ যুগৰ ৰামায়ণ বা মহাভাৰতৰ ভাঙনীৰ পৰা হয়তো মাজে মাজে তাত ভেজনি দিছে। ই আদি-কবি ভগৱান বাল্মীকি প্রৱর্ত্তিত নতুন নাট্যৰ ধাৰা, যি গ্রীক হেন জাগ্রত জাতিৰ হাতত পৰি গোটেই ইউৰোপৰ নাট্যলীলাৰ জনম দিছিল।

ইয়াৰ পিছতে শাঙ্কৰ যুগৰ অঙ্কীয়া ভাৱনা। ইয়াৰ আকাৰত—পূর্ব্বৰঙ্গ পূজাৰ ঠাইত থাপনা পতা, পূর্ব্ব ৰঙ্গত নৃত্য, গীত আৰু খোল বা মৃদঙ্গৰ বাদ্য, যৱনিকাৰ অন্তৰৰ

* বজালী অঞ্চলত ইয়াক 'পাউৰতলি' বোলে। 'পাউৰতালি'ত আজি কলিও মেলা-সভাৰ বাহিৰেও 'থিয় নাম' আৰু মাল-যুঁজ আদি হয়।—সঃ আঃ

পৰা অগ্নিগড়ৰ মাজেদি সূত্ৰধাৰ আৰু প্ৰধান পাত্ৰাদিৰ প্ৰৱেশ, সূত্ৰধাৰৰ আৱম্ভণৰ নান্দী, আৰু শেষৰ প্ৰশস্তি, পাত্ৰবিহিনি প্ৰৱেশ-প্ৰস্থানত নৃত্য—এই সকলো বিহিনতে প্ৰাচীন ভাৰতৰ নাট্যলীলাৰ সুন্দৰ পৰিচয় আছে। এনে ধৰণৰ নাট্যলীলা অন্ততঃ খৃষ্টীয় প্ৰথম শতিকাৰ আগলৈ পৰা আজিলৈকে কলিঙ্গত চলি আছে। বৰ্ত্তমান ইতিহাসৰ মতে খৃষ্টীয় দ্বিতীয় শতিকাত ভালেবিনি কলিঙ্গৰ অধিবাসী বৈ যবদ্বীপ আদিত উপনিবেশ স্থাপন কৰে। সিবিলাকৰ দিনৰ পৰা চলি অহা সেই সেই দ্বীপৰ মহাভাৰত, ৰামায়ণ আদিৰ নাট্যলীলাবে বৰ্ত্তমান কলিঙ্গৰ অভিনয়ৰ আৰু অসমৰ অঙ্কীয়া ভাৱনাবো প্ৰায়ে মিল আছে। অৰশ্য কি যবদ্বীপৰ মহাভাৰত অভিনয়ত অৰ্জ্জুনৰ চই কাষে নাচি ফুৰা ছটা পাৰিষাৰ্শ্বিক আৰু আমাৰ ভাৱনাৰ কৃষ্ণৰ লগে লগে নাচি ফুৰা ছটা পাৰিষাৰ্শ্বিকবৈ আচবিত মিল দেখি তবা লাগিব লাগে। শঙ্কৰদেৱৰ সকলো চেষ্টাতে প্ৰায় সকলো সময়তে দাক্ষিণাত্যৰ বিশেষকৈ কলিঙ্গৰ প্ৰভাৱেই বেচিকৈ পৰিলক্ষিত হয়। মহাপুৰুষীয়া ধৰ্ম্ম দাক্ষিণাত্যৰ ৰামানুজৰ দি বিশিষ্টাদ্বৈতবাদ তাৰ ওপৰতেই প্ৰতিষ্ঠিত। শঙ্কৰদেৱৰ কবিতাত 'ৰাধা-শ্যামৰ' বৃন্দাবনতকৈ জগন্নাথ আৰু উৰেষাৰ বৰ্ণনা বহুত বেচি। তীৰ্থ ভ্ৰমণ কালত অন্ত তীৰ্থতকৈ বেচি কাল শঙ্কৰদেৱ শ্ৰীক্ষেত্ৰত থকাৰ প্ৰৱাদ আছে। মহাপুৰুষীয়া ভকতসকলৰ সাজ-পাৰ আৰু শ্ৰীক্ষেত্ৰৰ পাণ্ডা সকলৰ সাজ-পাৰৰ বেছ সাদৃশ্য আছে। বৰ্ত্তমান উড়িষ্যাত সাধাৰণৰ মাজৰ যি নাট্যলীলা তাৰ ধৰণ কাৰণ কামৰূপৰ 'বাহেনীয়া'ৰ লগত প্ৰায় মিলি যায়। এই কামৰূপৰ বাহেনীয়াই উজনিৰ ৰজাঘৰৰ প্ৰায় সমানে আয়ম আৰু ক্ষমতা থকা সত্ৰাধিকাৰ সকলৰ হাতত পৰি বহুত গহীন আৰু স্বজিল হৈ উজনিৰ ভাৱনা হৈ পৰিল। জনসাধাৰণৰ মনত ধৰ্ম্মভাৱ জগাবলৈ শঙ্কৰদেৱে উচ্চ সাহিত্য সংস্কৃতৰ ধৰণৰ নাটক বা অভিনয়লৈ মন নেমেলি সেই কালৰ কলিঙ্গাদিত অভিনীত হোৱা প্ৰাচীন ভাৱতৰ সাধাৰণ জনপ্ৰিয় নাট্যলীলা আনি অসমৰ মৃতপ্ৰায় নাট্যলীলাৰ পুনৰুজ্জীৱন দিলে হি। নাটকৰ মাজেদি বৌদ্ধ যুগৰ শেষ ভাগৰ নাটকৰ চেষ্টা স্ফুট পৰিল। বৈষ্ণৱ পন্থই পন্থই তিথিয়ে পাৰ্ব্বনে অভিনয়ৰ মাজেদি ভাগৱতীয় ধৰ্ম্মৰ মহিমা ঘোষিত হবলৈ ধৰিলে। অকল শঙ্কৰদেৱে নিজে অভিনয়াদিৰ চেষ্টা কৰি ৰামবিজয়, কালীদমন, কোটোৱা-খেলা, গোৱালীপাৰা, চিহ্ন যাত্ৰা, পত্নীপ্ৰসাদ, পাৰিজাত হৰণ, কেলি গোপাল, ৰাস জুমুৰা আৰু কক্সিণীহৰণ নামৰ দহখনি নাটক লিখি উজনি অসমৰ পৰা ভাটৰ বংপুৰলৈকে ভাৱনা কৰোৱায়। এই মহাপুৰুষৰ লগে লগে দক্ষিণহস্ত স্বৰূপ মাধৱদেৱেও চোৱধৰা, দৰিয়ধন, পিপৰা গুচোৱা, ভূমি লোটোৱা, ভূষণ হেৰোৱা, আৰু ভোজন বৃত্তান্ত নামে ছখনি নাটক লিখি অভিনয় কৰোৱাইছিল। প্ৰহ্লাদ আছে শঙ্কৰদেৱৰ চিহ্ন যাত্ৰা নাটকৰ অভিনয়ত বোলে দৃশ্য পটাদিবো ব্যৱহাৰ হৈছিল। এই সকলোবিনি নাটকবে ভাষা 'ব্ৰজবুলি'। কাব্যৰস বা চৰিত্ৰ অঙ্কন নাটকৰ মূল লক্ষ্য নহলেও মাজে মাজে ঠাই বুজি বিশেষকৈ বৰগীত বিলাকৰ মাজেদি যি সৌন্দৰ্য্য আৰু মাধুৰ্য্যৰ ধাৰা ৰহি জবি পৰে তাক এবাৰ শুনিলে, এবাৰ ভাবিলে প্ৰাণ-মন শীতল পৰি যায়। এটাইতকৈ তেও ভাল লাগে শেষ গধাকী মহাপুৰুষৰ নাটক কিখনি। শ্ৰীকৃষ্ণৰ বাললীলাৰ এপৰত এঠাইতে হোৱা ঘটনা এটি ঠিক এপৰ জোবাই ৰোখাবে অভিনয় কৰোৱা এই নাটক কিখনি এক বিশেষত্ব। তাত ঘটনাবহুলৰ বৈচিত্ৰ্যতা নাই, বালা লীলাৰ সহজ সুন্দৰ অভিনয়, অগচ সকলোবিনিতে কৃষ্ণৰ ভবিষ্য জীৱনৰ বীজ সুন্দৰকৈ জিলিকিছে। এই স্থান, কাল, আৰু ঘটনাৰ ঐক্য সংযোগ যে দেখা যায়, তাৰ নিমিত্তে গ্ৰীক ট্ৰেজেডিৰ ওচৰত হাত পাতিব নহীয়া হোৱা নাছিল। ভাৱতৰ নাটকবে একে দিনে একে ঠাইতে হোৱা ঘটনা একোটি লৈ এক অঙ্ক কবিবলৈ নাট্যশাস্ত্ৰই ইঙ্গিত দি গৈছে। একাঙ্ক নাটক ভাৱতৰ কেন্দ্ৰ শ্ৰেণীৰ নাটকতে আছে। এই মহাপুৰুষ ছগধাকীৰ নাটক আৰু সেই চানেকীয়া সকলো নাটককে আজিও অঙ্কীয়া নাট বোলে। মাধৱদেৱৰ নাটকখিনি একাঙ্ক নাটকৰ লেখত পেলাই অঙ্কীয়া বুলিব পাৰি; কিন্তু শঙ্কৰদেৱৰ ৰামবিজয়, পাৰিজাতহৰণ আৰু কক্সিণীহৰণ আদি নাটকত এদিনতকৈ এক অঙ্কৰ ঘটনাতকৈও বেচি

আছে। সেই বিলাকৰ প্ৰায়খিনিতে পৌৰাণিক ইতিবৃত্তৰ অভিনয়, নায়কৰ লীলা, মনুষ্যৰ লীলা, বিলাপ, জয় পৰাজয় আছে। সংস্কৃতত এনে শ্ৰেণীৰ নাটকৰ নাম অঙ্ক। এই অঙ্কৰ পৰা অঙ্কীয়া বুলি ধৰিলে নামেবে গোটেইখিনি নাটককে সামৰিব পাৰি।

ইয়াৰ পিছত দৈত্যাৰি ঠাকুৰ, ৰামচৰণ ঠাকুৰ, হৰি ৰায়, হৰিধন দেউ, ভত্তানীপুৰীয়া গোপাল আতা, বংশীগোপাল অধিকাৰ, হৰিচৰণ আতাকে আদি কৰি বৰ্ত্তমান যুগলৈকে সত্ৰাধিকাৰ গোঁসাই মহন্ত সকলৰ যত্নত অগণন নাটকৰ প্ৰণয়ন হ'ল। সকলো নাটকবে একেঠাচ—একে অঙ্কীয়া গীত মাত,একে অঙ্কীয়া বাজনা, ধৰণ কাৰণ সকলো অঙ্কীয়া। ১৮৯৯ খৃষ্টাব্দত কলিকতাৰ অ, ভা, উ, সা সভাৰ উদ্যমত প্ৰকাশ হোৱা অসমীয়া পুথিৰ তালিকাত ১২৫খন অঙ্কীয়া নাটৰ নাম পোৱা যায়। তালিকাখনিত দক্ষিণপাত, কমলাবাৰী, বৰদোৱা আৰু খলিহৈ সত্ৰৰ নাটকৰ কথাহে আছে। বাকী সত্ৰৰ আৰু চাৰৈগ কত নাটক আছিল! তাৰ কিমান চাৰৈগ মানৰ জনা জুইত জাহ গ'ল, তাৰ বাতৰি কোনে ৰাখিছে? তালিকাৰ নাটকখিনিৰ ভিতৰত ৬০ খনি মান ভাগৱতৰ, ২০ খনি মান ৰামায়ণৰ, ২৫ খনি মান মহাভাৰতৰ, ৩ খনি মান দেউভাগৱতৰ, আৰু বাকী কিখনি পুৰাণ আৰু উপপুৰাণৰ। মুঠ নাটকৰ তিনি ভাগৰ দুভাগেই বধ বা যুঁজ-বাগৰৰ বৃত্তান্ত লৈ লিখা। ইয়াতে অসমীয়াৰ জাতীয় জুতৰ আভাস পোৱা যায়। অসমীয়া জাতি যুজাক জাতি। সেই কালত হাতীযুঁজ, মাল-যুঁজ, সেনৰ যুঁজ, মহুযুঁজ, বনৰীয়া জন্তুৰে মানুহৰ যুঁজ চাই অসমীয়াই আজৰীয়া বতৰত বঙ কৰিছিল। সেই দেখি ৰ'মৰ দৰে অতকিতে নাটকত 'ফ্লেডিবিয়েল'ৰ দৃশ্য লাহে লাহে ধাতু বুজি সোমাই পৰিল। ভীমে দেখেকে শ্ৰীকৃষ্ণৰ অন্ত মূৰ্ত্তিতকৈ দাঁতৰ আগত পৃথিবী তুলি লোৱা বৰাহৰ মূৰ্ত্তিটিক প্ৰাণে প্ৰাণে পূজা কবিছিল, অসমীয়া জাতিয়েও সেই দৰে শ্ৰীকৃষ্ণৰ বীৰ ৰসৰ বিগ্ৰহটিকে মনে মনে পূজা কবিছিল। সেই হে কীৰ্ত্তনৰ যি কেইটা পদ অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে জনপ্ৰিয় হৈ আছে তাবে এটি ক্ষমস্ত হৰণৰ—"হেন শুনি জাম্বৱন্ত, ধাইলা মহা বলৱন্ত।" অসীম প্ৰতিভাৰ শঙ্কৰদেৱে এই বীৰ জাতিৰ বীৰ ভাৱ সুন্দৰকৈ বুজি শ্ৰীকৃষ্ণৰ বীৰত্ব বৰ্ণনা কৰি দাস্য ভাৱৰ ভক্তি অসমীয়াক দি তাবে শৰীৰৰ বল বীৰ্য্য অৱতাৰ সকলৰ অনুকূলে শিষ্টৰ পালন আৰু দুষ্টৰ দমন ব্যাপাৰত প্ৰয়োগ কৰিবলৈ কাব্যেৰে আৰু নাটকেৰে জন সাধাৰণৰ মনত লাগি যোৱাকৈ কৈ গ'ল। এই নাটকবিলাকত বধ বা মৃত্যুৰ দৃশ্য যদিও আছে, তাৰ লগে লগে ধৰ্ম্মৰ জয় আৰু হৰি নামৰ প্ৰশংসা থকাত 'ট্ৰেজেডিৰ' দৰে প্ৰাণৰ আকুলতা জগাবলৈ আজৰি নাই।

মহাপুৰুষ সকলৰ কিছুকাল পিছত জনসাধাৰণে সিবিলাকৰ উচ্চ আদৰ্শত থাকিবে নোৱাৰি আহে লাহে গ্ৰাম্যভাৱলৈ নামি আহি এনে হেন পবিত্ৰ নাট্যৰ দুৰাৰ বহুৰাৰ চহী নীলৈলে মোকলাই দিলে। এই বহুৰাৰ কোনো কোনো জনে আজিও সুন্দৰ ছন্দেৰে অনৰ্গল মুখে মুখে ইমান হাস্যৰসাত্মক বচনাৰ শক্তি দেখুৱায় যে সিবিলাকৰ কথা শুনিলে মনত পৰে প্ৰাচীন ভাৱতৰ অবিৰল ধাৰেৰে ভূজঙ্গপ্ৰয়াতত কথা কোৱা নৈষধৰ কবিলৈ আৰু ইংৰাজী কবি 'গ্ৰে'ৰ 'ইনগ্ৰেবিচ মিন্টন,' বোলা কথাবাৰিলৈ। লাহে লাহে কবিতাৰ এই আচবিত শক্তিয়েও লোক প্ৰিয়তাৰ জুতি বিচাবি দিনক দিনে গ্ৰাম্য ভাষা আৰু ধৰ্ম্মৰ মাজেদি বৈ আহি শেহত ইমান জঘন্য হৈ পবিল হি যে সভ্য সমাজে বহুৰাৰ নাম পৰ্য্যন্ত শুশুনা হল। অভিনয় হয় 'অৰ্জ্জুনবধ' বা কালীদমন, এই বহুৰাৰ অত্যাচাৰত এনে হয় যে বাপেক-জীয়েক, মাক-পুতেক একে লগে বহি চাব নোৱাৰাবাত পবৈগৈ।

আধ্যাত্মিক জগতৰ আৰু এক কদর্য্যতা আহি অতকিতে এই নাটক বিলাকত সোমাই পবিল হি। বিবেকেবে বৈৰাগ্য লাভ কবি সাধন পথত অগ্ৰসৰ হবলৈ দিয়া মহাপুৰুষসকলৰ যি দাশনিক তথ্যৰ ইঙ্গিত তাৰ আচল অৰ্থ হেবাই গল। বিবেকলৈ বাট নেচাই বৈৰাগ্যকে সাৰথি কবি চৌপনিয়াবৈলৈ বৰ্ত্তমান কলাগুমটিত পৰা জাতিটৰ বেছ ছল লাগিল। পুত্ৰ পবিবাৰ আদাৰ,

ধনজন অস্থিৰ—এই যে অতি উচ্চভাৱ সি অসমীয়াৰ সিৰে সিৰে সোমাই গৈছে—ফলত নিজৰ বাৰী, নিজৰ আলি-পথুলিয়ে যে ভবছণবতে শিয়ালে হাঁহ লৈ যায়হিয়েই নে অইন কি গাত পিন্ধি থকা চোলাটোৱেও ছিটা ছিটে কাটি পানী পোতাত পৰি নিজে পানী নিপিয়ে মানলৈকে পানী এটুপিৰ মুখ নেদেখে।

লাহে লাহে উনবিংশ শতিকাৰ শেহভাগলৈ এই চানেকীয়া নাটকৰ ভাষা জনসাধাৰণে বুজিবলৈ টান পায় গুণে অভিনেতাই 'ব্ৰজবুলি'ত আগে বচন মাতি যায় আৰু লগে লগে 'অৰ্থাৎ' বুলি তাৰে অসমীয়া ধৰণা কথাবে ভাঙনী দিয়ে। কোৱা বাহুল্য এনে ধৰণৰ অভিনয়ত অভিনেতাৰ নাটকায় চৰিত্ৰৰ অভিব্যক্তিতকৈ পণ্ডিতালিৰ ভাও হে বেচিকৈ ফুটিবলৈ ধৰিলে। এই দৰেই ভালেখিনি বছৰ গল। আজি প্ৰায় পঁয়ত্ৰিশ কি চল্লিশ বছৰৰ আগেয়ে শিৱসাগৰৰ ৺দিবাকৰ বৰপুহাৰী দেৱে বৰ্ত্তমান অসমীয়া ভাষাৰ গীত মাতেৰে প্ৰাচীন নাটকৰ ধৰণে কংসবধ, অঘৰৰ্ণবধ, আৰু যমলার্জ্জুনভঞ্জন নামৰ নাটক কেখাবনিও লিখি শিৱসাগৰৰ গায়েনসকলৰ হতুৱাই দ'লৰ পৰ্ব্ব উপলক্ষে অভিনয় পতোৱাইছিল। ইয়াৰ আগেয়ে অসমৰ কোনো ঠাইতে ভাৱনাৰ উন্নতি কল্পে এনে চেষ্টা হোৱা আমাৰ কাণত পৰা হি নাই। ৰবপুহাৰীদেৱৰ নাটক কিখনিত অকণ ভাৱান্তৰ পৰিবৰ্ত্তন নহয়, বস্তু বিষয়তো সেই কালৰ নামধাৰী নাটক কিখনিতকৈ ভালেখিনি উন্নতি দেখা যায়।

ভক্তিমার্গ

—শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা

(৮)

জ্ঞানৰ সহায় নহলেও ভক্তিয়ে ভক্তক তাৰিব পাৰে। উদাহৰণ :—ব্ৰজৰ গোপীসকল। তেওঁলোকে বেদ বেদান্ত পঢ়া নাছিল, তথাপি কৃষ্ণত একান্ত অনুৰাগেই তেওঁলোকক যোগীৰো সুদুৰ্লভ গতি দিলে। জ্ঞানাদি সকলো সাধনাই ভক্তিসাধনৰ উপাদান স্বৰূপ। "কেবলে ভক্তিতে মাত্ৰ তুষ্ট হোন্ত হৰি।" (কীৰ্ত্তন) গীতাত ভগৱন্তই কৈছে :—

"সর্ব্বধর্ম্মান্ পরিত্যজ্য মামেক শরণং ব্রজ।"

এই বাবেই ভক্তৰ প্ৰাৰ্থনা :—

"তুমি নিত্য নিৰঞ্জন নাৰায়ণ!
তোমাত লৈলোঁ শৰণ॥" (ঘোষা)

ভক্তি অনুৰাগাত্মিকা। অনুৰাগ হুৱৰ কাৰণে হয়; কাৰণ তাত বিয়োগৰ নিমিত্তে দুখ আছে। এই কথা মানুহৰ ভিতৰত পৰস্পৰ অনুৰাগতহে খাটে; ঈশ্বৰানুৰাগ তেনে নহয়। ঈশ্বৰানুৰাগত বিয়োগো নাই, বিচ্ছেদো নাই; সেই দেখি দুখো নাই। ঈশ্বৰানুৰাগ সুখৰ হেতু। এই বাবেই কৰ্ম্মী, জ্ঞানী আৰু যোগীতকৈ ভক্ত শ্ৰেষ্ঠ। গীতাত ঈশ্বৰে নিজ মুখেৰেই কৈছে :—

"যোগিনামপি সর্ব্বেষাং মদ্গতেনান্তরাত্মনা।
শ্রদ্ধাবান ভজতে যো মাং স মে যুক্ততমো মতঃ॥"

প্ৰেমৰ লক্ষণ এই কেইটা :—সম্মান, বহুমান, প্ৰীতি, বিৰহ, ইতৰবিচিকিৎসা অৰ্থাৎ আগ্ৰহ পূৰ্ব্বক আনৰ অনপেক্ষা, মহিমা-কীৰ্ত্তন, প্ৰিয়তমৰ নিমিত্তে প্ৰাণ ধাৰণ, তদীয়তা, তেওঁৰ ভাৱতে সর্ব্বথা দৃষ্টি, অনুকূলতা, ইত্যাদি প্ৰেমৰ লক্ষণ। উদাহৰণ স্বৰূপে—অৰ্জ্জুন আৰু কুন্তীৰ

ঈশ্বৰ কৃষ্ণৰ প্ৰতি সম্মান বুদ্ধি। "ক" দেখি প্ৰহ্লাদৰ কৃষ্ণলৈ মনত পৰিছিল। তাকে বোলে বহুমান। বিদুৰৰ কৃষ্ণপ্ৰীতি, আৰু গোপীসকলৰ বিৰহ। ভীষ্ম আৰু ব্যাসৰ কৃষ্ণ-মহিমা কীৰ্ত্তন। কৃষ্ণৰ নিমিত্তে গোপীসকলৰ আৰু ৰামৰ নিমিত্তে হনুমন্তৰ প্ৰাণ ধাৰণ, বলিৰ তদীয়তা, ধ্ৰুৱ প্ৰহ্লাদৰ তন্ময়, ইত্যাদি।

ঈশ্বৰ অজ, অৰ্থাৎ তেওঁৰ জন্ম নাই। তথাপি লোকানুগ্ৰহৰ নিমিত্তে ঈশ্বৰে মায়া কল্পিত দেহ ধাৰণ কৰে। যি ঈশ্বৰৰ এনে জন্ম-কৰ্ম্মৰ বিষয়ে শ্ৰৱণ কীৰ্ত্তন কৰে, তাৰ মুক্তি হয়। গীতাত ভগৱন্তই কৈছে—

জন্ম কর্ম্ম চ মে দিব্যমেবং যো বেত্তি তত্ত্বতঃ।
ত্যক্ত্বা দেহং পুনর্জ্জন্ম নৈতি মামেতি সোঽর্জ্জুন॥

ঈশ্বৰৰ জন্ম, কৰ্ম্ম, সকলো অলৌকিক, অসাধাৰণ। যি এইটো বুজি তদ্গতচিত্ত হৈ ঈশ্বৰক ভক্তি কৰে সি সংসাৰ বন্ধনৰ পৰা মুক্ত হয়। তেওঁ এক আৰু অজ হলেও, তেওঁৰ নিজ মায়াৰ দ্বাৰাই তেওঁ নিজক বহু আৰু জন্ম-ৰৱণীল যেন দেখুৱায়। শ্ৰীমদ্ভাগৱতত ৰাসপঞ্চাধ্যায়ত দেখিছে—"অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ।" তৃতীয় স্কন্ধ ভাগৱতত কপিলে মাক দেৱহুতিক কৈছে—"ধৰিছে ভক্তসকলৰ প্ৰতি অনুকম্পা বিতৰণ কৰিবৰ নিমিত্তে মূৰ্ত্তি পৰিগ্ৰহণ কৰে।" (অষ্টাবিংশ অধ্যায়)। "দুখাং তপ্ত হি কাৰুণ্যম।" (শাণ্ডিল্যকৃত ভক্তি-সূত্ৰ) অৰ্থাৎ—

"অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ।"

ৰামদেৱ শ্ৰীকৃষ্ণৰ দেহ জীৱদেহ নহয়; সি সচ্চিদানন্দ বিগ্ৰহ। তেওঁৰ লীলাভিনয়ৰ নিমিত্তে অলৌকিক আৰিৰ্ভাৱময় স্থল প্ৰকাশ মাথোন। মহাভাৰত, শ্ৰীমদ্ভাগৱত, গীতা আৰু আন আন পুৰাণতো একবাক্যে ইয়াকে কৈছে। গীতাত শ্ৰীকৃষ্ণই নিজেই কৈছে—

"সম্भवत्यात्ममायातीतोहमात्ममायाऽपि चोत्तमः।

অতোঽস্মি লোকে বেদে চ প্ৰথিত পুৰুষোত্তমঃ॥

অৰ্থাৎ যি হেতুকে মই ক্ষৰৰ অতীত আৰু অপৰতকৈও উত্তম; সেই হেতুকে মই লোকত আৰু বেদত পুৰুষোত্তম বুলি প্ৰসিদ্ধ :—

"কৃষ্ণ নিগমতি অর্জ্জুনত দেহাদিক আমি অতিক্রমি
হৈয়া আছোঁ শুদ্ধ, ব্রহ্মতো কবি উত্তম। এতেকে সে
জানা ইটৌলোকে, বেদতো প্রখ্যাত জয়া আছে
মোৰ নাম ইটো প্রসিদ্ধ পুৰুষোত্তম॥" (ঘোষা)

"জগতত কবি মই যিহেতু উত্তম।
সি কাৰণে নাম মোৰ পুৰুষউত্তম॥ (কীৰ্ত্তন)

"যো মামেবমসম্মূঢ়ো জানাতি পুরুষোত্তমম্।
স সর্ব্ববিদ্ ভজতি মাং সর্ব্বভাবেন ভারত॥" (গীতা)

"অসম্মূঢ় ভাৱে যিটোজনে উত্তম পুৰুষ মোক জানে
তাকে সর্ব্ববেত্তা বুলিয়ো নথি অর্জ্জুন।
সিটো সমস্তকে পৰিহৰি কায়মনোবাক্যে যত্ন কৰি
ভজয় আমাক পুৰুষ সিটো নিপুণ॥" (ঘোষা)



দেৱতাৰ সমাধি

গল্প—

—শ্ৰীযুত ৰাধিকামোহন দেৱ গোস্বামী বি-এল

পাহাৰৰ বুকৰ সেই সমতল ঠাই খিনিতে মন্দিৰটো, চাৰিওফালে নিৱিড় বন। দূৰৈত এঘৰ দুঘৰ মানুহ। মন্দিৰৰ গাতে লগাকৈ পূজাৰিৰ ঘৰটো। ওচৰতে মালীটোৰ বহা। বহল চোতালখনৰ আগেদি পাহাৰী নিজৰাটো সাপটোৰ নিচিনাকৈ একাবেকা হৈ কোনোবা অজানাৰ উদ্দেশ্যে অবিৰাম গতিত বৈ গৈ পাহাৰৰ মাজত নাইকিয়া হৈছে। নিজৰাটিকে অনুসৰণ কৰি দূৰণিলৈ যোৱা ৰঙ্গা পাহাৰীয়া আলিটোও যেন কিছুদূৰ গৈ আৰু যাব নোৱাৰি হাৰ মানি অইনফালে ঢাপলি মেলিছে। মন্দিৰৰ এদাঁতিত এখনি ফুলনি—নানা তৰহৰ ফুলেৰে ভৰা—পাহাৰী ফুল, ভৈয়ামৰো যুতি-জাঁই।

মন্দিৰলৈ যাত্ৰীৰ সমাগম কম। পাহাৰী উষাৰ সৌন্দৰ্য্য উপলব্ধি কৰিবলৈ কবিৰ অভাৱ। অস্তমুখী সূৰুযৰ তপ্তকাঞ্চনৰূপ বৰ্ণাবলৈকো শিল্পী নাই।..... সকলোৱেই যেন নিৰৱ।.....পথক্লান্ত কোনোবা পথিকে পথশ্ৰমৰ বোজা আৰু বব নোৱাৰি কেতিয়াবা মন্দিৰৰ আগৰ নিজৰাৰ পাৰৰ সেই বকুল জোপাৰ তলতে জিৰণি লয়হি। পুণ্যলোভী কোনোবা বাটৰুৱাই পাপৰ ভয়ত হয়তো কেতিয়াবা মন্দিৰত সোমাই দেৱতাক দেখা দিয়েহি। দেৱতাক তুষ্ট কৰিবলৈ দুই চাৰিটা পইছাও হয়তো দি যায়—নিদিলে জানোচা দেৱতা কষ্ট হয়!.....

যি বৰ ক্লান্ত—যাৰ মন কোনোবা সুদূৰত বন্ধা থাকে সি হয়তো ক্ষন্তেকলৈ হলেও ভাগৰৰ হেচাত দেৱতাক পাহৰি কলাঘুমতিত পৰি ভাৱে সেই বান্ধোনলৈ। কোনোবাই হয়তো সেই বকুলৰ তলত বহি তাহানিৰ বিৰহী যক্ষলৈ মনত পেলাই কোনোবা এখনি লনি মুখ—এযুৰি ধুনীয়া চকু—দুখনি খাৰু মেৰোৱা হাতৰ কথা ভাৱি তপত হুমুনিয়াহ কাঢ়ে। লগতে হয়তো কোনো কোনোবা থুনুক থানাক মাতৰ কথা মনলৈ আহোতেই স্নেহৰ আৱেশত আত্মহাৰা হয়।.....কিন্তু কোনেও ক্ষন্তেকলৈ স্থিৰ হৈ চকু ফুৰাই নেচায় সেই নিৰ্জ্জনপুৰীৰ নিবিড় সৌন্দৰ্য্যলৈ। পাহাৰী চৰাইৰ আকুল-ব্যাকুল প্ৰাণৰ সঙ্গীত নিৰ্ম্মম পাহাৰৰ বুকুতেই প্ৰতিধ্বনি কৰি আপুনি মাৰ যায়—অইনৰ প্ৰাণত প্ৰতিধ্বনি তুলিবলৈ যেন অক্ষম। কত বসন্ত আহিল, কত গল!.....

মন্দিৰৰ অধিবাসী কলা শিলত কটা বিষ্ণু। ৰক্ষক পূজাৰি বামুণ। যোগাৰী সেই আধা সভ্য মালীটো।... পূজাৰিৰ ঘৰ কোনোবা ভৈয়ামত। ৰজাঘৰীয়া পূজাৰিৰ পদ বংশানুক্ৰমে চলি আহিছে।.....বহুতদিনীয়া একান্ত ঘনিষ্টতাত দেৱতালৈ জন্মিছিল অচলা ভক্তি, অকৃত্ৰিম স্নেহ। দেৱতাৰ পূজাত স্বাৰ্থৰ গন্ধ নাছিল—আছিল ভকতৰ প্ৰাণ উবুৰিয়াই দিয়া স্নেহ—ভক্তি। পূজাৰি যুৱক—দীঘলীয়া নাক, ধুনীয়া চকু, শ্বেতচন্দন শোভিত উন্নত কপাল। মূৰত একোছা কলা চুলি। সেই দেখিলে ভাল নলগা মালীটোৰ লগতে থাকি দেৱতাৰ আশ্ৰয়ত তেওঁ ছয় সাত বছৰ এই নিবিড় জঙ্গলতে কটাই দিছিল। নাই চিন্তা—নাই দুখ। কামৰ ভিতৰত আছিল দেৱতাৰ পূজা আৰু সময় পালেই সেই জুৰিটোৰ পাৰত বহি নিশা বাঁহী বজোৱা।.....দৰকাৰ পৰিলে কেতিয়াবা যায় ওচৰৰ গাওঁখনৰ লাগবান্ধ নোহোৱা কাৰোবাৰ ওচৰলৈ। ঘৰলৈকো বৰকৈ নেযায়। গলেও বহুত দিনৰ মূৰত এদিন। ঘৰলৈ হেনো মনতেই নপৰে।...পূজাৰিৰ বাপেক নাই। মাকো সৰুতে মৰিল। ককাই ভায়ো নিজৰ নাই।..... মালীটোয়ে যদি কেতিয়াবা ঘৰলৈ যোৱাৰ কথা কয়, উত্তৰ দিয়ে—"ককাই তহতে ইমান ঘৰলৈ যাও, ঘৰলৈ যাও' বুলিলে মোৰ হাঁহিহে উঠে।

ঘৰত কিনো আছে তহতৰ, ইমান যে তালৈ সদায় মনত পৰে? তোৰ মাৰ বাপেৰ জানো আছে?"

মালীয়ে উত্তৰ দিয়ে "মাক বাপেক থাকিলেহে ঘৰ? মোৰ লৰা-ছোৱালী আছে—সিহঁতৰ মাক আছে—সিহঁতেই মোক টানি নিয়ে।....."

.....মালীৰ কথাই যেন সেই সৰল একানপতীয়া ডেকা পূজাৰিৰ অন্তৰৰ কোনোবা সুপ্ত বীণাৰ তাঁৰত অকস্মাৎ আঘাত কৰিলে। কিবা এটা যেন বিজুলীৰ দৰে অন্তৰত খেলাই গল। কিন্তু কি যেন ধৰিব নোৱাৰিলে। ...সেই ৰাতি জুৰিৰ পাৰত বজোৱা, দিগদিগন্তৰলৈ ভাহি যোৱা বাঁহীৰ সুৰত যেন পূজাৰিৰ প্ৰাণৰ কৰুণ ক্ৰন্দন ফুটি উঠিছিল। নিজৰ কাণতো সেই দিনাৰ সুৰবোৰ উদ্দেশ্য-হীন যেন লাগিল। সেই দিনা ৰাতি বিচনাত পৰোতে নিজৰ অজ্ঞাতে মনলৈ আহিল "জীৱন বৃথাই গল নে কি?"

* * * *

কিছুদিনৰ পিছত। সেই দিনা পূজাত বহিয়েই পূজাৰিয়ে মাত দিলে—"অলকা—।" ওচৰৰ ঘৰটোৰ পৰা কোমল মাতৰ "গইছো" বুলি উত্তৰ দিয়াৰ লগে লগেই এগৰাকী গৌৰ বৰণীয়া ধুনীয়া গাভৰু মন্দিৰলৈ সোমাই গল। পূজাৰিয়ে উভতি চাই মাত দিলে—"অলকা, আজি মোৰ মন্ত্ৰপাঠ বিফলে যায়। দেৱতাৰ খং উঠিছে। চোৱা, দেৱতাৰ মুখত আজি আনন্দ নাই। পূজাত মোৰ একাগ্ৰতা কমি গৈছে—তোমাৰ পিছে পিছে মোৰ মনটো ঘূৰি ফুৰিছে। মোৰ মনটো আৰু লৈ নাযাবা। মোৰ ওচৰতে বহা।....." চাওঁতে চাওঁতেই পূজাৰি যুৱক নিমগ্ন হল। পূজাৰ পিছত সেই দিনা পূজাৰিয়ে বিচাৰিলে পাপৰ বাবে দেৱতাৰ ওচৰত ক্ষমা।—"হে দেৱতা, হে ঈশ্বৰ—তুমি সৰ্ব্বজ্ঞ—তুমি যে সকলো বুজা!"

.....এতিয়া সেই প্ৰাণহীন সমতলৰ প্ৰত্যেক তৰু তৃণত পূজাৰিয়ে পালে প্ৰাণ—প্ৰত্যেকটো ফুলতেই দেখিলে বিশ্বব্ৰহ্মাণ্ডৰ সকলো সৌন্দৰ্য্য। তাৰ বতাহৰ স্পৰ্শত অনুভৱ কৰিলে বিমল আনন্দ।.....আজিকালি বাঁহীৰ সুৰত আৰু উদাস ভাৱ নাই—আছে আশা, আছে মাদকতা। সেই বকুল জোপাৰ তলত গধূলি যেতিয়া দুয়ো বহিব পৃথিবীত যে আৰু কোনোবা আছে—পৃথিবীত যে আৰু কৰিব লগীয়া কিবা কাম এতিয়াও অসম্পূৰ্ণ—সকলো পাহৰি যায়। ভাৱে—"মিছা, পৃথিবীত দুখ নাই—আছে সুখ। এইয়ে সকলো, এইয়ে শেষ। ইয়াতেই পৃথিবীৰ আৰম্ভ, স্বৰ্গৰো শেষ।"

প্ৰত্যেক দিনেই প্ৰতি পূজাৰ অন্তত দেৱতাৰ ওচৰত মূৰ দোঁৱাই অন্তৰৰ কৃতজ্ঞতা জনায়—"হে দেৱতা, মোৰ পূজা সফল কৰিলা। তোমাৰ আশীৰ্ব্বাদত আজি মোৰ জীৱনৰ পূৰ্ণ বিকাশ।.....

* * * *

সন্ধ্যাৰ আৰতিৰ পিছতেই সেইদিনা অলকাৰ হঠাৎ জ্বৰ উঠিল। পূজাৰি অলকাৰ মুদ খাই থকা চকু দুটালৈ চাই কেতিয়াবা মূৰটোত কেতিয়াবা কপালত হাত ফুৰাই শিতানতে বহি ৰল। কিমান পৰ বহিছে কব নোৱাৰে। দেৱতাৰ পূজা যে এতিয়াও অসমাপ্ত পূজাৰিয়ে পাহৰিলে। ওচৰৰে গছ এজোপাৰ পৰা প্ৰাণত আতঙ্ক সৃষ্টি কৰি আহিল কোনোবা চৰাই এটাৰ বিকট আৰাও। পূজাৰি চক্ খাই উঠিল। অলকায়ো চকু মেলিলে—পূজাৰিৰ চকুয়ে চকুয়ে পৰিল। অলকাই মাত দিলে "আপুনি বহিয়েই আছে? পূজা কৰিলে? আজি কি খাব?..."

অনিচ্ছাৰে হলেও পূজাৰি মন্দিৰলৈ গল। অভ্যাস মতে মন্ত্ৰ মাতি পূজা সমাপন কৰি পূজাৰিয়ে গম পালে আজিৰ পূজাত আন্তৰিকতাৰ অভাৱ। পূজাৰ অন্তত অলকাক আৰোগ্য কৰিবলৈ প্ৰাৰ্থনা জনাই দোষৰ বাবে ক্ষমা ভিক্ষা কৰিলে "হে দেৱতা, হে অন্তৰ্য্যামী, সকলো তোমাৰেই মহিমা। দোষ নধৰিবা.....।"

কুৰি দিন হলহি অলকাৰ জ্বৰ নেৰিলে। পূজাৰি হল আধা বলিয়া। খোৱা নাই—শোৱা নাই—বিশ্ৰাম নাই। মালীটোয়ে ওচৰৰ গাৱঁৰ পৰা দৰৱ আনি দিলে। কিন্তু তাৰ ব্যৱহাৰ নহল। দৰৱ শুকাই গল। পূজাৰিৰ দৰৱত বিশ্বাস নাই—বিশ্বাস সেই দেৱতাত। পূজাৰিৰ দৰৱ দেৱতা। পূজাৰিৰ পথ্য দেৱতাৰ চৰণামৃত।.....

মাজ ৰাতি সকলো নিঃপালি দিছে। ছটফটাই থকা অলকাৰ টোপনিৰ ভাৱ দেখিলেই পূজাৰি লৰি মন্দিৰলৈ

গৈ দেৱতাৰ পাদমূলত দীঘল দি পৰে।.....“হে শক্তি, হে দেৱতা, তুমি কৰুণাৰ আধাৰ। আৰু শান্তি নিদিবা, অলকাক ভাল কৰি দিয়া.....” চকুলো দুগালেদি ধাৰাসাৰে কৈ মাটিত পৰেগৈ। উঠি আছে, কিজানি সাৰ পাই অলকাই বিচাৰিছেই।

দেৱতাৰ ওপৰত অগাধ বিশ্বাস, অসীম ভক্তি। নহব কিয়? অলকা সেই দেৱতাদেই যে দান।..... কিন্তু! দেৱতা অচল অটল। একান্ত ভকতৰ কৰুণ কাকুতি দেৱতাৰ ওচৰত ব্যৰ্থ হল। অলকা গুচি গল। পূজাৰিও লগতে ঢাল খাই পৰিল।.....

চেতন পাই দেখিলে অলকাক কাণোবেৰে ঢাকি বাহৰ চাং এখনৰ ওপৰত শুৱাই থৈছে। ওচৰলৈ গল—প্ৰাণ হীন শৰটো সাৰটি ধৰিলে। হিয়া বিদীৰ্ণ কৰি কান্দোন আহিল—“অলকা···নিৰ্ম্মম দেৱতাই তোমাক থাকিবলৈ নিদিলে। কত কান্দিলো, দেৱতাই শুণুনিলে।”

সূর্য্য অস্তৰ লগে লগেই অলকাৰ শেষ ক্ৰিয়া নিজবাটোৰ পাৰৰ সেই জুপুহা গছ ডালৰ ওচৰতে শেষ কৰি পূজাৰি ঘৰলৈ উভতিল।.....পূজাৰি নিস্তব্ধ।.....সমুখত দেখিলে শ্যামল পৰ্ব্বতৰাশি বুকত শিলৰ বোজা লৈ পৰি আছে। সেই গছগছনি—সেই আওঢ়লিয়া সমতল ভূমিখণ্ড। ওপৰত দেখিলে নক্ষত্ৰখচিত নীল আকাশ। আজি যেন কাৰো লগত কাৰো সম্বন্ধ নাই। সকলোৱেই যেন স্বতন্ত্ৰ।···চোতালত ভবি দিয়েই দেখিলে সেই ফুলনিখন। মনত পৰিল অলকালৈ। মনলৈ আহিল—কোনে সেই ফুলবোৰত আক পানী দিব! আক ভাৰিব নোৱাৰিলে। শূন্য অন্তৰত অনুভৱ কৰিলে নিৰ্ম্মম বেদনা...হিয়া ভাঙ্গি কান্দোনৰ বোল উঠিল। ইমান দিনৰ অযুত পৰি থকা চোতালখন দুবৰি বনেৰে ভৰি গৈছিল। সেই দুবৰিৰ ওপৰতে বহি সমুখত দেখিলে হিতীয়াৰ ক্ষীণ জোনটো। মন বিষাদেৰে ভৰি গল।.....বকুল জোপাত বাট ভুল কৰি ভোমোৱা এটাই তেতিয়াও গুণগুণাই আছিল। ভোমোৱাৰ ওজৰত হতাশ প্ৰাণত বিষাদৰ ছাঁ আৰু ঘন হৈ আহিল। সেই দুবৰিৰ ওপৰতে পূজাৰি দীঘল দিলে। চকুৰে চকুলোৰ ধাৰ নিছিগা হল। যি দুই চাৰিজন মানুহ গোট খাইছিল তেওঁলোকে প্ৰবোধ বাক্যৰে পূজাৰিক মানীৰ হাতত গতাই থৈ ঘৰাঘৰি গল।

হিতীয়াৰ চন্দ্ৰৰ ক্ষীণ কিৰণ চাওতে চাওতেই নাইকিয়া হল। আজি মন্দিৰৰ ভিতৰত দেৱতাক পোহৰাই কোনো বস্তি নজ্বলিল। বাহিৰৰ দুৱাৰ মুখত মালীয়ে চাকি এটা লগাই দিলেহি।.....অন্ধকাৰে সকলোকে গ্ৰাস কৰিলে—সমুখত অন্ধকাৰ, কাষত অন্ধকাৰ, পাছত অন্ধকাৰ। ওপৰলৈ চাই পূজাৰিয়ে দেখিলে চিকমিকাই থকা তৰা বিলাক। হঠাৎ চকু পৰিল ৰবকৈ জ্বলি থকা ডাঙৰ তৰা এটাৰ ওপৰত। মনত খেলাই গল সেইয়া অলকা, মোলৈ চাই আছে। কান্দোন আহিল—“অলকা····· মোকো কিয় লৈ নগলা?” সেই দৰে কিমান পৰ বল নাজানে। মনত পৰিল দেৱতাটৈ। মনত পৰিল প্ৰাণ ভৰি কৰা ভক্তিলৈ, স্নেহলৈ। মনত পৰিল সকলো কাকুতি মিনতিলৈ আৰু দেৱতাৰ উদাসীনতালৈ। দেৱতালৈ খং উঠিল। অন্তৰত বিদ্ৰোহ জ্বলি উঠিল। প্ৰতিহিংসাত অন্তৰ পুৰিবলৈ ধৰিলে।·····

“দেৱতা পাষাণ—নিৰ্ম্মম—অকৃতজ্ঞ.....”। ৰিয় হল। মন্দিৰৰ দুৱাৰমুখলৈ গল। দুৱাৰ মেলি সেই অন্ধকাৰৰ ভিতৰেদি গৈ কলা শিলৰ বিষ্ণু মূৰ্ত্তিখন হাতত তুলি ললে। “দেৱতা, তুমি শিল। তোমাৰ এই চকুত শক্তি নাই। তুমি নেদেখা। দেৱতা তুমি বধিৰ, তোমাৰ কাণে শুহুনে, তুমি মূক।.....তোমাৰ প্ৰাণ নাই—তুমি নিষ্ঠুৰ—এচপৰা শিল। তোমাক প্ৰাণ দি মিছাযে পূজা কৰিলোঁ। মিছাযে তোমাক স্নেহ ভক্তি কৰিলোঁ।.....”

মন্দিৰৰ বেদিৰ ওপৰতে মূৰ্ত্তিখন গৈ ওলাই আহিল। নিজৰ ঘৰৰ ফালে গৈ কোৰ এখন আনিলে। মন্দিৰৰ গাতে লগাকৈ গাঁত এটা খান্দিলে। তাৰ পিছত সেই বিষ্ণুমূৰ্ত্তিখন তাত পেলাই দিলে।...“পাষাণ আজিৰ পৰা আকৌ পাষাণ হৈয়ে থাক—।” গাঁতটো পুতি পেলালে।

নিজৰ ঘৰটোত সোমাল। ইফালে সিফালে কিবা বিচাৰিলে। যেন চকুত একো নপৰিলে। খাটখনৰ তলত পৰি থকা বাঁহীটো হাতত লৈ ওলাই আহিল—

মন্দিৰৰ চৰাৱ খনত তলা লগালে। এখোজ দুখোজকৈ আগবাঢ়ি আহি বকুলৰ তল পালেহি। হুমুনিয়া এটা পৰিল..... বকুল জোপাৰ গাত টঙনিয়াই টঙনিয়াই ঝাঁহীটো ভাঙি পেলালে। তাৰ পিছত জুবিটোলৈ দলি মাৰি পেলাই দিলে। কিছুপৰ থিয় দি বল। তেওঁ ক'ত আছে নিজেই যেন নাজানে। তাৰ পিছত চাবিপাতো জুবিটোলৈ দলি মাৰি দিলে।.....

গোটেই অন্তৰ জুবি বিদ্ৰোহৰ দাৱানল। অন্তৰৰ জিঘাংসা যেন চকুহুটাৰ মাজেদি ফুটি উঠিল।.....ওপৰলৈ চালে। মনলৈ আকৌ আহিল—“দেৱতা হৃদয়হীন। দেৱতা মিছা। দেৱতাই নেদেখে। দেৱতাই নাচায়। দেৱতাই শুণুনে। দেৱতা অকৃতজ্ঞ। দেৱতা নাই। মিছা, সকলো মিছা। সঁচা তুমি—, সঁচা নই। .....

তাৰ পিছত লাহে লাহে সেই অন্ধকাৰৰ মাজেদি পৰ্ব্বতীয়া একাবেকা বাটটোয়েদি যাবলৈ ধৰিলে। কলৈ নাজানে।.....

———

আমাৰ চিলেঠীয়া ভাইসকল কি?

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

তেওঁলোক বঙ্গালী নে? একে আষাৰে উত্তৰ দিব লাগিলে কব লাগিব—হয়ো, নহয়ো। তেওঁলোক অসমীয়া নে? ইয়াৰ উত্তৰতো কব লাগিব,—হয়ো, নহয়ো।

হয় আৰু নহয়, এই দুটাৰ মানে কি ফহিয়াই চাব লাগিব। “হয়” এইবাবে যে তেওঁলোকে আজি অনেক দিনৰ পৰা বঙ্গভাষা গ্ৰহণ কৰি নিজৰ বঙ্গালী বুলি চিনাকি দি আহিছে। কিন্তু আচলতে তেওঁলোক বঙ্গালী নহয়; বৰং অসমীয়াহে। ১৭৬৫ খৃষ্টাব্দত চিলঠ বৃটিছৰ শাসনৰ অধীনলৈ আছে। তেতিয়াবে পৰা চিলঠ বঙ্গৰ এখন বিভাগ বুলিয়েই বিবেচিত হৈ আহিছে। ১৮২৬ খৃষ্টাব্দত য়াণ্ডাবুৰ সন্ধিপত্ৰ অনুসাৰে যদিও অসম বৃটিছৰ ভতাঁয়া হয়, তথাপি বৃটিছে ১৮৩৮ খৃষ্টাব্দত অসমৰ শেহ ৰজা পুৰন্দৰ সিংহৰ ৰাজ্যচ্যুত নোহোৱালৈ পোন বাটে অসমৰ শাসনৰ ভাৰ লোৱা নাছিল। ১৮৭৪ খৃষ্টাব্দত অসম আৰু চিলেঠ দুইখনকে একে কৰি এজন চিফ্ কমিশ্বনৰৰ তলত অসম শাসিত হয়। তেতিয়াবে পৰা অসম আৰু চিলেঠক একেখন দেশ কৰি সাঙোৰা হল। সেই দেখি কব লাগিব যে অসমে ৩৮ বছৰ মাথোন বৃটিছ শাসন-তন্ত্ৰৰ সুবিধা লৈয়ে এক শতিকাৰ ওপৰে তেনে সুবিধা ভোগ কৰি অহা চিলঠৰ লগত চলিব লগা হল। সিফালে সেই ডোখৰ কাঁতে চিলঠে বঙ্গভাষা গ্ৰহণ কৰি আৰু বৃটিছ শাসনৰ সুবিধা লৈ পকি আছিল।

চিলঠৰ পুৰণি বুৰঞ্জী অনেক বিনি এৰাকে ঢকা। বৃটিছৰ তললৈ অহা কালত চিলেঠ মুছলমান ফৌজদাৰৰ তলত মোগল সাম্ৰাজ্যভুক্ত আছিল। মিহৰ গেইটে অনুমান কৰে যে অতীত কালত চিলঠৰ অধিবাসীসকল বঙো ভাষাভাষী জাতৰ মানুহ আছিল। “Little is known of the history of Sylhet, but like all other countries in the early stage of civilization, it seems to have been split up into a number of petty chiefships. These were edministered by little princelings, who

enjoyed a certain degree of independence, though dominated at first by the Tippera state and afterwards by the Mahammadans. There seems to be little doubt that the Tipperas are closely allied with the Bodo or Kacharis, and it is generally thought that a considerable portion of the present inhabitants of sylhet were originally descended from that stock."

মিষ্টর গেইটে কয় :—"There is some reason for supposing that at one time, sylhet was under the sway of the kings of Kamrupa"

সুপ্রসিদ্ধ বঙ্কিমচন্দ্র চাটুর্জ্জীয়ে তেওঁর "প্রবন্ধ পুস্তকত" লেখিছে "যথায় এখন কামরূপ, তথায় অতি প্রাচীন কালে এক আর্য্য রাজ্য ছিল। তাহাকে প্রাগজ্যোতিষ বলিত। মহাভারতের যুদ্ধে প্রাগজ্যোতিষেশ্বর ভগদত্ত দুর্য্যোধনের সাহায্যে গিয়াছিলেন। বাঙ্গলার অধিবাসী তাম্রলিপ্ত, পৌণ্ড্র, মৎস্য প্রভৃতি সেই যুদ্ধে উপস্থিত ছিল। তাহারা অনার্য্য মধ্যে গণ্য হইয়াছে। বাঙ্গালা যে সময়ে অনার্য্য ভূমি সে সময় যে আসাম আর্য্যভূমি হইবে, ইহা এক বিষম সমস্যা।" বঙ্কিম বাবুরে নাজানিলেও এই সমস্যার ভাল উত্তর আছে ;—যদিও সেইবোর কথালৈ গৈ আজি আমার প্রবন্ধ নবহলাঁই।

বঙ্কিম বাবুরে লেখিছে—"এক সময় কামরূপ রাজ্য অতি বিস্তৃত হইয়াছিল। পূর্ব্বে করতোয়া ইহার সীমা ছিল, আধুনিক আসাম মণিপুর, জয়ন্তীয়া, কাছার, মযমনসিংহ, শ্রীহট্ট, বঙ্গপুর, জলপাইগুড়ি ইহার অন্তর্গত ছিল।"

মিষ্টর বমেশচন্দ্র দত্তই তেওঁর "Civilization in Ancient India" কিতাপত লেখিছে—'To the east and beyond a great river, was the powerful kingdom of Kamrupa 2000 miles in circiut. It apparently included in those times Modern Assam, Manipur, Kachar, Mymensing and sylhet."

"The Sylhet district gazetteer" অত লেখিছে "According to Dr. Grierson, the language spoken by inhabitants of Eastern Sylhet is not intelligible to the natives of central or Northern Bengal. * * * The Devanagri character is used amongst low caste Muhammadan especially in the east of the District. They find it easier to master than Bengali and Bengali books are printed in this character, for their benefit"

বাবু অচ্যুত চরণ চৌধুরীয়ে তেওঁর "শ্রীহট্টের ইতিবৃত্ত" কিতাপত লেখিছে—"অতি প্রাচীন কালে এই সুবহা স্থান কামরূপের ভগদত্ত রাজার শাসনাধীন ছিল ; তিনি কখন কখন লাউড়ের রাজধানীতে আগমন ও অবস্থিতি পূর্ব্বক এতদ্দেশে শাসন দণ্ড পরিচালন করিতেন। লাউড়ের পাহাড়ে এক উচ্চ স্থান দেখাইয়া এখনও লোকে ভগদত্ত রাজার আবাস স্থানের নির্দ্দেশ করে। * * তবে ইহা নিশ্চয়ই যে দীর্ঘকাল পর্য্যন্ত শ্রীহট্ট দেশ কামরূপের অধীন ছিল।"

বঙ্গদেশত আর্য্যবসতির বিষয়ে অচ্যুত বাবুরে লেখিছে—

"খৃষ্টীয় সপ্তম শতাব্দী পর্য্যন্ত বঙ্গদেশে আর্য্যনিবাস স্থাপিত হয় নাই। মহাত্মা বঙ্কিমচন্দ্র 'বঙ্গে ব্রাহ্মণাধিকার' প্রবন্ধে প্রমাণ করিয়াছেন—'খৃষ্টীয় অষ্টম শতাব্দীর পূর্ব্বে বাঙ্গালা ব্রাহ্মণশূন্য অনার্য্য ভূমি ছিল। পূর্ব্বে কদাচিৎ কোন ব্রাহ্মণ যদি আসিয়া বাস করিয়া থাকেন, তাহা গণনীয়ের মধ্যে নহে। অষ্টম শতাব্দীর পূর্ব্বে বাঙ্গালায় ব্রাহ্মণ সমাজ ছিলনা।

খৃষ্টীয় সপ্তম শতাব্দীতে চৈনিক পরিব্রাজক হিউয়েত্সাঙ্গ ভারতবর্ষে আগমন করেন ; তিনি নিজ ভ্রমণ বৃত্তান্তে এদেশের অবস্থাদি বর্ণনা করিয়া গিয়াছেন। ঐ সময় যদিও বাঙ্গলা দেশ বহু বিস্তৃত ছিল, তথাপি তখন পর্য্যন্ত ইহার পূর্ব্বাংশে সাগরের নিদর্শন বিলুপ্ত হয় নাই।"

"অতএব নিসংশায়িত রূপে বলা যাইতে পারে, যে

অতি প্রাচীন কাল হইতে শ্রীহট্ট আর্য্যজাতির শাসনে ছিল। প্রাচীন প্রাগজ্যোতিষ পূর্ব্বদেশে যখন আর্য্য প্রতিভাজ্যোতি বিস্তার করিয়াছিল, তৎসঙ্গে শ্রীহট্টও সেই প্রজ্বল্য প্রভায় প্রকাশিত হইয়াছিল। শ্রীহট্ট বহু শতাব্দী কামরূপের অন্তর্ভুক্ত ছিল, তাহার যথেষ্ট প্রমাণ আছে। খৃষ্টীয় সপ্তম শতাব্দী পর্য্যন্ত শ্রীহট্ট যে কামরূপ রাজ্যের অঙ্গ ছিল, তাহা বিদেশীয় ভ্রমণ কারীর বর্ণনায় জ্ঞাত হওয়া যায়।

"শ্রীহট্ট বহুদিন কামরূপের অন্তর্গত ছিল বলিয়া অগৌরব কিছু নাই। যে কামরূপ যোগিনীতন্ত্রে বারানসীর ন্যায় মহাতীর্থময় বলিয়া উল্লিখিত তদবীনে থাকা অগৌরবকর নহে।* * * কামরূপের অন্তর্ভুক্ত হওয়ায় অতি প্রাচীন কাল হইতেই শ্রীহট্ট আর্য্য সভ্যতার ফল ভোগ করিতে পারিয়াছে বলিয়া বিশেষ গৌরবাস্পদ।"

আমার শ্রীযুত বেণুধর রাজখোয়াই তেওঁর "Notes on the Sylhetee Dialect" নামৰ কিতাপত এই দেখিয়েই লেখিছে—

"Sylhet, it is freely admitted, enjoyed the blessings of the Aryan civilization through Kamrup, which held it under its sway for centuries together. It came to be inhabited by the Aryans, when Bengal was a babital of Non Aryan savages. How different is the spirit of the following remarks made in the "Paridarsak"of 1st. December 1912 from that breathed in the quotation from the "Srihatta Itibritta" given above.

"শ্রীহট্টবাসী বঙ্গবাসী নয় একথা কে বলিবেন ? কোন রাজকর্ম্মচারী অথবা স্বার্থপ্রিয় লোক শ্রীহট্টবাসীর ভাষা বাঙ্গালা নয় বলিতে সাহস করিবে। যে দেশের স্থায়ী অধিবাসীর মধ্যে (গোটাকতক চা-বাগানের কুলি আর মণিপুরী ব্যতীত) প্রায় সকলেই জাতিতে, আকৃতিতে ও ভাষায় বাঙ্গালী কোন পাপে যে এদেশ আসাম সাজিল বৈ বই কে একথার উত্তর দিবে।"

"শ্রীহট্টবাসী বঙ্গ ভাষাভাষী নয়, এ কথা কোনও সত্যবাদী বলিতে পারিবে না। কোনও না কোন প্রকারে বাঙ্গালীর সহিত ইহাদের কোনওরূপ বিসাদৃশ্য আছে অথবা ইহারা বাঙ্গালী নহে, একথা বলিতে কোন ব্যক্তি সাহস করিবেন কি?" (পরিদর্শক। ২৭ ডিসেম্বর, ১৯১২)

আমি উত্তরত কওঁ, যে, "সে কথা অনেক ব্যক্তি সাহস করিয়া বলিয়াছেন।" তোমালোকে গাব বলেৰে নামানিব পাৰা। আমাৰ কথাতে কয় যে "মানিলে ধান, নামানিলে পতান।" জনা বুজা সকলে দেখুৱাই আহিছে যে তুমি অসমৰ জাতিকাবৰে থকা অসমীয়াই আছিলা। এতিয়া তুমি অসমীয়া নোহোৱা বুলি কৈছা, নিজক বঙ্গালী বুলিছা, বোলা, তাত অসমীয়াৰ দুখ কৰিবৰ একো নাই। দোমোজাত থকা মানুহে ইচ্ছামতে সিফালও হব পাৰে, ইফালো হব পাৰে, এইটো তেওঁলোকৰ বিশেষ সুবিধা। তোমাৰ ভাষাৰ সাঁচটো নিশ্চয় অসমীয়া,— অৱশ্যে corrupt. শ্রীযুত বাজখোৱা ডাঙৰীয়াই তেওঁৰ কিতাপত বহুত দিনৰ আগে এই কথা পদে-প্রমাণেৰে দেখুৱাই আছিছে। চকু থকা সকলোৱেই সেইটো দেখিব। তথাপি তোমালোকে নিজক বঙ্গালী পাতিছা পাতা ; আমাৰ আপত্তি নাই। তোমালোকৰ ইচ্ছানীন। বামদন দাসে মুছলমান হৈ বহিমুদ্দীন নাম ললে তেওঁৰ হাতত ধৰিবলৈ কোনো নাযায়। কিন্তু যেতিয়া বহিমুদ্দীন বেশী বামধন উত্তর-পশ্চিম ফালেৰে মুখ কৰি নিজক মহম্মদ টোপলক বা জাহাঙ্গীৰ বাদছা নাইবা চৈধম আবদুল্লাৰ বংশধৰ বুলি চিক্কৰে, তেতিয়া জনাবুজা সকলোবে মুখত হাঁহি বিবিত্তি পৰে। বোলে "কালবো কাল বিশ্বাত কাল, হবিণাই চেলেকে বাঘৰ গাল।" আজি বঙ্গালীৰ জাতত উটিবলৈ যোৱা চিলৈটা ভায়ে "পতিত"(?)অসমীয়াৰ সৈতে তেওঁলোকৰ আদর্শ বঙ্গালী এজনৰ আগবকলীয়া কোনোবা পিতৃপুরুষ এজনৰ সম্পর্ক ওলালত অযৌর্য্য হৈ চেবেউ-ফেবেউ কৰি কোঢ়াল লগায়। আমি সিদিনা কাকত পত্রত লেখালেখি হোৱা বিশ্বকবিৰ বংশৰ পূর্ব্বপুরুষ এজনৰ কথাৰ বিষয়ে কৈছোঁ। তেওঁলোকৰ কোনো এজনে কেনেকৈ উধাতু খাই সেই খবৰ বিশ্বকবিক

জনাইছিল, আৰু বিশ্বকবিয়ে বিশেষকৈ টলকি নাচাই লৰা লৰিকৈ ধেমেলীয়াভাৱে দিয়া উত্তৰটো পাই তেওঁলোকৰ কি কিৰিলিৰ জাউৰি উঠিছিল! বঢ়াবঢ়ি দেখি বিশ্ব কবিয়ে পিছৰখন চিঠিত যি লিখিছে, নিশ্চয় সেইটো দেখি তেওঁলোকৰ "প্ৰাণ ঠাণ্ডা।" কবিবৰৰ উত্তৰটো কবিবৰৰ ভাষাতে আমি এই খিনিতে তুলি দিওঁ, কাৰণ সেইটো সকলোৰে ভালকৈ মনত থকা উচিত :—

"আমাৰ পূৰ্ব্বপিতামহেৰা যদি অসমীয়া হতেন তবে সেজন্য আমাৰ কোনো ক্ষোভেৰ কাৰণ ঘটিত না। * * পূৰ্ব্বভাৰতীয় পঞ্চভূতেৰ সমবায়ে আমাৰ দেহ মনেৰ সৃষ্টি, আসাম তাৰই অন্তৰ্গত * *। আমাকে নিয়ে আসাম যদি গৰ্ব্ব অনুভব কৰে, আমিও আসামকে নিয়ে প্ৰীতি অনুভব কৰব। বাংলা দেশেৰ সৃষ্টিকাৰ্য্যে ব্ৰহ্মপুত্ৰ নদ তো আবহমান কাল বিস্তৰ পলিমাটি বহন কৰেছে—সেই মাটিতে আমাৰ জন্ম। পদ্মাৰ যে চৰে আমি আমাৰ যৌবন যাপন কৰেছি তাৰ ৰচনায় ব্ৰহ্মপুত্ৰেৰ সহযোগিতা তো কেউ অস্বীকাৰ কৰিতে পাৰবে না। বাংলা দেশেৰ ধমনীতে আসামেৰ প্ৰাণধাৰা বহমান এটা কি কেবলি ভৌগলিক? নানাসূত্ৰে নিঃসন্দেহই আমাদেৰ ৰক্তেৰও মিল ঘটেছে সে কথা স্বীকাৰ কৰতে কুণ্ঠিত হওয়াই লজ্জাজনক। * * হয়তো আমাৰ কোনো দূৰ প্ৰপিতামহ আসামী ছিলেন একথাটাকে একেবাৰেই অসম্ভৱ বলা যায়না। আৰ যাই হোক বাঙালীৰ দেহে আসামীৰ ৰক্ত সংস্ৰৱ মানহানিজনক এমন কথা উচ্চাৰণ কৰবাৰ যোগ্য নয়। * * * দৈবক্ৰমে কুইনী শিলেটি, কিন্তু কুইনী আসামেৰ অন্নে হয়েছে মানুষ, অতএব আসামেৰ সঙ্গে আমাৰ আত্মীয়তাৰ যোগ স্বীকাৰ কৰতে লজ্জা কৰাটা তাৰ পক্ষে শোভন নয়। (ওপৰৰ কথাৰ তলত আঁচ মাৰিছোঁ আমি।) * * * এইখানে বলে ৰাখা ভালো আমাদেৰ বংশেৰ কন্যা একদা যখন আসামী যুবকেৰ সঙ্গে বিবাহ বন্ধনে যুক্ত হচ্ছিল তখন আমি বিশেষ আনন্দ বোধ কৰেছি। এই ৰকম বিবাহ সূত্ৰে মিলন যদি সম্ভৱপৰ না হয়—তাহলে বলতে হবে ৰাষ্ট্ৰীয় ঐক্য সম্বন্ধে ৰাষ্ট্ৰ সভামঞ্চে আমৰা যে বাগ্মিতা বিস্তাৰ কৰে থাকি সেটা একটা শোকাবহ প্ৰহসন। ইতি ২২ বৈশাখ, ১৩৪২।

"স্নেহাসক্ত

ৰবীন্দ্ৰনাথ ঠাকুৰ।"

আজিলৈ ইমানতে। আমাৰ প্ৰবন্ধৰ অনেক কথাত আমি বন্ধুবৰ ৰাজখোৱাৰ কিতাপৰ সহায় লৈছোঁ।



স্যুইটস্যাৰলেণ্ড ভ্ৰমণ

—শ্ৰীযুত শৰৎ কুমাৰ দত্ত বি, এচ, চি, (লণ্ডন) বাৰ-এট-ল

সৰুতে শুনিছিলো যে স্যুইটস্যাৰলেণ্ডক হেনো পৃথিবীৰ স্বৰ্গপুৰী বোলা হয়। মনত পৰে ১৯২৮চনত যেতিয়া কলিকতা বিশ্ববিদ্যালয়ত বি, এ, পৰীক্ষা দিওঁ আমাৰ ইংৰাজী ৰচনাৰ বিষয় আছিল—"If you were not born in India, In which country would you have liked to be born and why? "অৰ্থাৎ তুমি যদি ভাৰতত জন্ম গ্ৰহণ নকৰিলাহেঁতেন, কোন দেশত জন্ম গ্ৰহণ কৰিবলৈ বিচাৰিলাহেতেন আৰু কিয়?" উত্তৰ দিছিলোঁ—স্যুইটস্যাৰলেণ্ড। তেতিয়া স্যুইটস্যাৰলেণ্ড মই দেখা নাছিলো; কিন্তু তাৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা শুনিছিলো। শুনিছিলো বোলে স্যুইটস্যাৰলেণ্ডে যুদ্ধ বিগ্ৰহ



ৰোণ গ্লেচিয়াৰৰ ওচৰত ফুৰ্কাপাচ

নকৰে, তাত সদায় শান্তি। শুনিছিলো তাৰ বলিষ্ঠ সতেজ মানুহবিলাকৰ ভিতৰত ক্ৰোৰপতি বা ভিকহু নিতান্ত কম। তেতিয়া আছিল স্যুইটস্যাৰলেণ্ড এখন মোৰ কল্পনা ৰাজ্য। ১৯৩১ চনত যেতিয়া মোৰ স্যুইটস্যাৰলেণ্ড দৰ্শন ঘটে তেতিয়া ৱাৰ্ডচ ৱৰ্থৰ "ইয়েৰো" (Yarrow) দেখি যি অৱস্থা হৈছিল তাৰ বিপৰীতহে মোৰ হৈছিল। "ইয়েৰোখন" ৱাৰ্ডচ্ ৱৰ্থে এনেদৰে কল্পনা কৰি লৈছিল যে যেতিয়া "ইয়েৰো" সঁচাকৈয়ে দেখিলে, কবি হতাশ হৈ পৰিল। মোৰ কিন্তু বুজিবলৈ বাকী নাছিল যে মোৰ কল্পনাই স্যুইটস্যাৰলেণ্ডৰ সৌন্দৰ্য্য চুকি পোৱা নাছিল। এতিয়াও মই ভাল দৰে জানো যে সেই সৌন্দৰ্য্য ভাষাত বৰ্ণোৱা মোৰ পক্ষে অসম্ভৱ। স্যুইটস্যাৰলেণ্ড সঁচাকৈয়ে পৃথিবীৰ স্বৰ্গপুৰী। ঈশ্বৰে নিজ হাতে সজাই থোৱা এখন মনোৰম ফুলনি।

জহৰ বন্ধটো বিলাতৰ প্ৰায় ছাত্ৰ ছাত্ৰীয়ে দেশ বিদেশ ফুৰি কটায়। এনেদৰে ফুৰা-চকাটো শিক্ষাৰ এটা ডাঙৰ অঙ্গ হিচাপে ধৰা হয়। অনেকে বিদেশী বিশ্ব-বিদ্যালয়ত জহৰ বন্ধৰ "কোৰ্স" লয়গৈ, বহুতে আকৌ বিদেশী ভাষা শিকিবলৈ বিদেশী পৰিয়ালৰ ঘৰত পয়চা দিয়া অতিথি (Paying guest) হয়গৈ। ১৯৩১ চনৰ জহৰ বন্ধত মই স্যুইটস্যাৰলেণ্ডকে চাই আহোঁ বুলি লণ্ডনৰ পৰা প্যাৰিচ ওলালোগৈ।

স্যুইটস্যাৰলেণ্ড চাবলৈ হলে তাৰ যেই সেই এখন নগৰলৈ গলেই হয়। লুচাৰ্ণ, জেনিভা, ইণ্টাৰনেকেল, জুৰিক আদি বহুত নগৰেই আছে। প্ৰায়বোৰ নগৰেই একে। একো একোটা হ্ৰদৰ পাৰত, পাহাৰৰ ওপৰত অৱস্থিত একোখনি নগৰ যেন একোখন নন্দন কাননহে। এখন নগৰত খুটি পুতি লৈ বিভিন্ন চাবলগীয়া ঠাই বিলাক মটৰেৰে পাক মাৰিব (tour দিব) লাগে। সুন্দৰ সুন্দৰ "কচ" (Coach) বিলাকত ভাৰাও বেছি নহয়।

মই ৰাতি খাই বৈ লুচাৰ্ণলৈ বুলি টিকেট এটি লৈ

প্যাৰিচৰ লিয় ষ্টেশ্যনত ৰেলত উঠিলো। নিচেই ৰাতি পুৱাতে "বাল" (Barle) পায়গৈ। "বাল" পোৱাৰ আগতেই আমি হাত মুখ ধুই সাজু হৈ পৰিলো। কিয়নো "বালত" কেইঘণ্টামান সময় পোৱা হয়। আৰু প্ৰায় সকলো যাত্ৰীয়েই নগৰখন চোৱাৰ সুবিধা লয়।

"বাল" পায়েই "ৰেষ্টৰাঁ" এটাত কফি আৰু ৰুটি খাই লৈ নগৰখন চাবলৈ ওলালো। "বাল" নগৰখন অতি পৰিষ্কাৰ যেন কোনোবাই গোটেইখন ঠাই ক্ষন্তেকৰ আগতে মচিহে থৈ গৈছে। গ্ৰীষ্মকালৰ ৰাতিপুৱা ফুলেৰে ওপচি থকা নগৰখনত ওলায়েই মনটো বৰ মুকলি লাগিল। স্যুইটস্যাৰলেণ্ডৰ ফুলৰ বাগিচাবিলাকৰ



ফুৰ্কা পাছৰ আৰু এটি দৃশ্য

আভাস "বাল"তেই অলপ পোৱা হল। চিনি জানি নোপোৱা ঠাই গতিকে ষ্টেশ্যনৰ পৰা দূৰলৈ যাবলৈ সাহ হোৱা নাছিল গতিকে ওচৰতেই ঘূৰি পকি ফুৰিছোঁ এনেতে বাটতে ডেকা এজনক লগ পালোঁ। কথা পাতিবৰ চেলু বিচাৰি মই ফৰাচী ভাষাত সুধিলোঁ—"কেইটা বাজিছে, কব পাৰে নে?" ইয়াতে কোৱা উচিত যে স্যুইটস্যাৰলেণ্ডত তিনিটা ভাষা চলে—জাৰ্ম্মাণ, ফৰাচী আৰু ইটালিয়ান। পিছে ফৰাচী বেছি ভাগেই বুজে আৰু কয়। ডেকাজনে মোৰ কথা শুনি এঁ এঁয়াবলৈ ধৰিলে। মই লক্ষ্য কৰিলোঁ যে তেওঁৰ হাতত এখন "কুক্‌চ্ গাইড"। তাকে দেখি মোৰ আৰু বুজিবলৈ বাকী নাথাকিল যে তেওঁ ইংৰাজ। ইংৰাজীতে কলোঁ—"আপুনি ইংৰাজ নেকি?" তেওঁ "হয় হয়" বুলি নাচি উঠিল।

ইয়াতে উনুকিয়াও যে ইংৰাজ জাতিটো অতি স্বতন্ত্ৰ ভাৱৰ (Reserved) বুলি প্ৰখ্যাত। বিলাতৰ ৰেলত বা বাচত দেখিবা কাৰো মুখৰ মাত এষাৰ নাই। সকলোৱে খবৰ কাগজ পঢ়াত ব্যস্ত। ৰেষ্টৰাঁবিলাকত দেখিবা লাগিলে তোমাৰ লগত একেখন মেজতে বহি খাইছে, অথচ তোমাৰ পিনে এবাৰ মূৰ ডাঙিও নাচায়। অনেক বিদেশীয়ে ভাৱে যে ই তেওঁলোকৰ গৰ্ব্ব। কিন্তু আচলতে ই এটি তেওঁলোকৰ জাতিগত স্বভাৱহে। গল্প এটা আছে, যে এবাৰ জাহাজ ডুবাত দুজন ইংৰাজে সাতুৰি সাতুৰি এটা অকলশৰীয়া সৰু দ্বীপত উঠিলেগৈ। তাতে দুয়ো ফল মূল খাই এমাহ কটালে। দুয়ো দুয়োকো সদায় দেখে অথচ কথা নাপাতে, কিয়নো তেওঁলোকক চিনাকি (Introduce) কৰি দিয়া হোৱা নাই। ইংৰাজ জাতিৰ স্বতন্ত্ৰ ভাৱ দেখুৱাবলৈকে বোধকৰো এই গল্পৰ অৱতাৰণা। মহাদেশৰ মানুহবোৰ, অন্ততঃ ফৰাচীবিলাক হলে অতি সৰবৰহী। তেওঁলোকৰ হাত-পাত জোকাৰি কথা কোৱা দস্তুৰ আছে। মনত আছে এবাৰ ফৰাচী দেশৰ পশ্চিম অঞ্চলৰ সৰু চহৰ এখনৰ হোটেল এটাত খাবলৈ বহি ফুলপাহৰ দৰে কিবা খোৱা বস্তু এটা খাব নাজানি লিৰিকি-বিদাৰি থাকোতে অন্য অন্য মেজৰ পৰা ৩।৪ জন উঠি আহি কেনেকৈ খাব লাগে দেখুৱাবলৈ আৰম্ভ কৰিলেহি। ইংলণ্ডত এনে ব্যৱহাৰ অতি বিৰল। কিন্তু মই এটা কথা সদায় লক্ষ্য কৰিছিলো যে "হাৱাপানী" সলনি কৰা ঠাইবিলাকত (Holiday places) ইংৰাজবিলাকে মোট সলায়। তেতিয়া তেওঁলোক Holiday spiritত সৰবৰহী হৈ পৰে।

যিহ'ক ডেকাজনক লগ পাই বৰ ৰং পালোঁ। তেওঁৰ পৰা জানিব পাৰিলোঁ যে তেওঁ লণ্ডনৰ এজন ইঞ্জিনিয়েৰিংৰ ছাত্ৰ, লুচাৰ্ণলৈ ফুৰিবলৈ আহিছে। ডেকাজন অতি অমায়িক আছিল আৰু আমাৰ মাজত বন্ধুত্ব

স্থাপন কৰাত দেৰি নহল। তাৰ পৰা লণ্ডনলৈ ঘূৰি অহালৈকে তেওঁ মোৰ সহচৰ হল। লুচাৰ্ণতো আমি একেটা হোটেলতে ঠাই লৈছিলোগৈ।

নগৰীয়াজন পাই ষ্টেশ্যনৰ পৰা দূৰলৈকে নগৰখনত পাক মাৰিলোঁ। "বাল" নগৰখনৰ আন্তৰ্জাতিক প্ৰাধান্যতা বৰ বেছি। কিয়নো এই নগৰখনে স্যুইটস্যাৰলেণ্ড, ফ্ৰান্স আৰু জাৰ্ম্মাণ এই তিনিখন ৰাজ্যৰ সীমা চুইছে। গতিকে বেহা-বেপাৰৰ পিনৰ পৰা ই অতি উন্নতশালী ঠাই। ইয়াতেই "বেঙ্ক অব ইণ্টাৰ ন্যাশনেল পেমেণ্ট" (Bank of Inter National payment.) আছে। ইয়েই স্যুইটস্যাৰলেণ্ডৰ যি কেজন লাখপতি আছে, তেওঁলোকৰ সৰহ ভাগৰ বসতি স্থান। জুৰিকৰ বাদে এই নগৰৰেই স্যুইটস্যাৰলেণ্ডৰ অইন সকলো নগৰতকৈ লোক সংখ্যা বেছি। "বাল" পাদুৰিবিলাকৰ শিক্ষাৰ এটা বৰ ডাঙৰ কেন্দ্ৰ। আমি আলিবাটত জাকে জাকে পাদুৰি দেখা পাইছিলো। ইয়াৰ বিশ্ব-বিদ্যালয়টো স্যুইটস্যাৰলেণ্ডৰ ভিতৰত আটাইতকৈ পুৰণি। এইটো লক্ষ্য কৰিব লগীয়া যে প্ৰদেশৰ কথাকে নকওঁ ইউৰোপত একোখন নগৰতেই সুকীয়া বিশ্ব-বিদ্যালয় থকাটো বিৰল নহয়। সুকীয় স্বাৰ্থৰ নিমিত্তে বিশ্ব-বিদ্যালয় পতাটো সেই নগৰৰ দেশদ্ৰোহী কাম নহয়।

কেৱল মাত্ৰ ৩।৪ ঘণ্টা সময় হাতত পোৱাত আমি "বাল" নগৰখন ওপৰে ওপৰেহে চাব পাৰিলো। ষ্টেশ্যনলৈ সময় মতে ঘূৰি আহি সেইবাৰ স্যুইচ ফেডেৰেল ৰেলে দি (Swiss Federal Railways) স্যুইটস্যাৰলেণ্ডৰ ভিতৰেদি যাত্ৰা আৰম্ভ কৰিলোঁ। যিমানেই আগুৱাব ধৰিলোঁ সিমানেই সমতল ভূমি এৰি পৰ্ব্বতীয়া ঠাই পাব ধৰিলোঁ। সৰু সৰু স্যুইচ গাওঁবিলাক চকুত পৰিব ধৰিলে। প্ৰায়বিলাক ঘৰেই ফুলেৰে প্ৰায় ঢাক খাই থকা; বিশেষকৈ ফুলেৰে উপচি থকা লতা গোলাপৰ অন্ত নাই বুলিলেই হয়। লাহে লাহে যেতিয়া দুপৰীয়া আহি লুচাৰ্ণৰ ওচৰ চাপিলোঁহি তেতিয়া লুচাৰ্ণ হ্ৰদৰ দৃশ্য দেখিবলৈ পালোঁ। পৰ্ব্বতৰ শাৰীয়ে বেঢ়ি থকা ঘূৰণীয়া হ্ৰদৰ দৃশ্য কি মনোৰম! লুচাৰ্ণ পাই মোৰ ইংৰাজ বন্ধুজনৰ সৈতে গৈ এটি সৰু পাহাৰৰ ওপৰত অৱস্থিত হোটেলত ঠাই ললোঁগৈ। প্ৰথম দুই এদিন আমি লুচাৰ্ণ চহৰখন চাই কটাবলৈ ঠিক্ কৰিলোঁ।

স্যুইটস্যাৰলেণ্ডৰ প্ৰায়বোৰ চহৰৰ বিৱৰণ প্ৰায়ে একে, জেনিভা যেনেকৈ জেনিভা হ্ৰদৰ ওপৰত, জুৰিক যেনেকৈ জুৰিক হ্ৰদৰ ওপৰত সেইদৰে লুচাৰ্ণ লুচাৰ্ণ হ্ৰদৰ ওপৰত। প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনমোহা। চহৰখন



"ফুৰ্কা পাছ"ৰ দৃশ্য Furka Pass

আমাৰ শ্বিলঙৰ দৰে ওখ চাপৰ। হ্ৰদটো এখন সাগৰহে জানিবা। চকুৰে মনিব পৰালৈকে পৰ্ব্বতৰ শাৰী। স্যুইটস্যাৰলেণ্ডৰ প্ৰায় সকলো চহৰতে সূৰ্য্যোদয় আৰু সূৰ্য্যাস্ত চাবলগীয়া। তেনে মনোহৰ দৃশ্য অতি বিৰল। সূৰ্যোদয়ৰ আগত আৰু সূৰ্য্যাস্তৰ সময়ত পৰ্ব্বতৰ মাজে মাজে ৰঙালী ৰশ্মি পৰি দহ পোন্ধৰ মিনিটৰ বাবে একোটি মনোহৰ দৃশ্য সৃজন হয়। এই প্ৰাকৃতিক সৌন্দৰ্য্যৰ লগে লগে যাত্ৰীসকলৰ নিমিত্তে সকলো ৰকমৰ আধুনিক শিল্পনিৰ্ম্মিত সৰঞ্জামো আছে। গধূলি সদায় হ্ৰদৰ পাৰত বেণ্ড বজোৱা হয়। তদুপৰি তাত এটি লিদ' (Lido) আছে। তাত সাতুৰিবৰ আৰু মুকলিত নাচিবৰ ব্যৱস্থা আছে। ইউৰোপৰ অন্য অন্য holiday place ৰ দৰে লুচাৰ্ণতো এটি 'কাছিনো' (casino) আছে। তাত নাচ আৰু জুৱা খেলা হয়। Holiday কৰোঁতে অলপ

অচৰপ খেলিলে হানি নাই বুলি মনক প্ৰবোধ দি গৈ কেবা বাতিও তাত গৈ অলপ অচৰপকৈ হাবি অহা হৈছিল। প্ৰথম দিনা হাবি গৈ, সেই পহচা খিনি উঠিবলৈহে পিছত মোৱা হৈছিল। কিন্তু পহচা আৰু উলিহা নহল, আৰু গ'লহে।

ছুইটজাৰলেণ্ডত হ্ৰদত ঘূৰাটো এটি প্ৰধান আমোদৰ হিহহ। অলপ পহচা দিয়েই জাহাজত উঠি বহুত ঠাইলৈ যাব পাৰি। তদুপৰি আমি প্ৰায়েই হোটেলৰ পৰা দুই তিনিজন লগ লাগি গৈ নাও ভাৰা কৰি জোনাক নিশা নাও বাইছিলো। এইদৰে ৰাতি নাও বাবলৈ বহুত মানুহ যায়। হ্ৰদৰ মাজৰ পৰা নগৰখন বিজুলী চাকিত জক মকাই থকা দেখিবলৈ অতি ধুনীয়া।



"বোণ গ্লেচাৰৰ আৰু এটি দৃশ্য"

লুচাৰ্ণ হ্ৰদৰ মাজতে এটি সৰু দ্বীপ আছে আৰু তাতে এটি অট্টালিকা আছে। সেই সম্পত্তি হেনো ইন্দোৰৰ ভগাজনা হোলকাৰৰ। আমি জাহাজেৰে ঘূৰিবলৈ ৰাওঁতে আমাৰ গাইড জনে সেই দ্বীপলৈ আঙুলিয়াই "ৰাওলাৰ হত্যা কাহিনী"টো বেছ বহল সানি কলে। ঘটনাটো যাত্ৰীসকলৰ উপাদেয় বুলিয়েই গাইডসকলে ভালকৈ মনত ৰাখিছে।

ছুইটজাৰলেণ্ডৰ আন আন চহৰৰ দৰে লুচাৰ্ণৰো ভৌগলিক আৰু ঐতিহাসিক বিশেষত্ব আছে। "লুচাৰ্ণৰ সিংহ" (Lion of Lucerne) ইউৰোপত প্ৰখ্যাত। এখন পাহাৰৰ গাত এটা প্ৰকাণ্ড সিংহৰ মূৰ্ত্তি কটা আছে। ফৰাচী বজা লুইৰ (ষোড়শ গৰাকী) ৰাজ পৰিয়ালক ৰক্ষা কৰিবলৈ গৈ যি সকল ছুইচ গা ৰখীয়াই ১৭৯২ খৃষ্টাব্দত প্ৰাণ হেকৰালে, তেওঁলোকৰ সোঁৱৰণীৰ বাবে এই চিন।

লুচাৰ্ণত এখনি গ্লেচাৰ গাৰ্ডেনো (Glacier Garden) আছে। জীৰ-জন্তুৰে বসতি কৰাৰ আগেয়ে হেনো গোটেই ইউৰোপখন গ্লেচাৰেৰে (বৰফৰ নদী) ঢাক খাই আছিল। সেই গ্লেচাৰোৰৰ শুকাই গ'ল আৰু লুচাৰ্ণৰ এই 'গ্লেচাৰ গাৰ্ডেন' তাৰে এডোখৰ অৱশিষ্ট। ইহ'ক এই বিষয়ে ভূতত্ত্ববিদ্ সকলেহে গবেষণা কৰিব পাৰিব।

ছুইটজাৰলেণ্ডৰ য'তে ত'তে "উইলিয়ম টেল"ৰ (William Tell) ছবি বা প্ৰতিমূৰ্ত্তি দেখা যায়। "উলিয়াম টেল" হেনো ছুইচ কনফিডেৰেশ্যনৰ (Swiss confederation) জন্মদাতা। ছুইটজাৰলেণ্ডৰ বিভিন্ন প্ৰদেশ বা কেণ্টন (canton) বিলাকৰ ভিতৰত আগেয়ে মিলা প্ৰীতি নাছিল আৰু ছুইটচ্ জাতীয়তা বোলা বস্তু এটাও নাছিল। ফলত ছুইটচবিলাক বিদেশীৰ দ্বাৰা শাসিত হৈছিল। কথিত আছে যে "উইলিয়ম টেলে" ছুইটচবিলাকক বিদেশী অষ্ট্ৰীয়াৰ বিৰুদ্ধে জগাই তোলে। অষ্ট্ৰীয়াৰ শাসনকৰ্ত্তা (Governor) এজনে "টেলক" বন্দী কৰি লুচাৰ্ণ হ্ৰদেদি তাৰ পাৰত থকা দুৰ্গ এটালৈ বৈ যাওঁতে বাটতে ধুমুহাই পায়। "টেল" অতি বলিষ্ঠ আছিল গতিকে "টেলক" মুকলি কৰি দি বঠা বাবলৈ লগাই দিয়া হয়। "টেলে" নিৰাপদে নাও পাবলৈ আনি, জপিয়াই পাৰত পৰে আৰু দেহু-কাড় লৈ একে পাত কাড়তে শাসনকৰ্ত্তাজনক বধ কৰে। তাৰ পৰা "উৰিলৈ" (Uri) লৈ তেওঁ বিদ্ৰোহ বিয়পায়।

দুদিন মানৰ পিছত আমি কেইজনমানে হোটেলৰ পৰা লগ লাগি টেলৰ ঠাই (Tell's country) চাবলৈ ওলালোঁ। লুচাৰ্ণ এৰি আমি গৈ "মেগেন মানভূমি" (Meggen plateau) পালোঁগৈ। তাৰ পৰা হ্ৰদ, পাহাৰ



লুচাৰ্ণ নগৰৰ দৃশ্য

চুবুৰীয়া ভাষা, সংস্কৃতি আৰু সাহিত্যৰ

আদি অতি সুন্দৰ দেখা যায়। তাৰ পিছত "মেগেন" গাৰ্ডৰ মাজেদি গৈ আমি "টেলৰ" অৰ্চনাস্থান (Tell's chapel) পালোঁগৈ। ইয়াতেই বোলে "টেলে" অত্যাচাৰী নাজিৰ (bailiff) এজনক বধ কৰিছিল। তাৰ পৰা লুগ হ্ৰদৰ (Lake zug) কাষে কাষে গৈ আমি ব্ৰুনেন (Brunnen) চহৰ পাওঁগৈ। এই চহৰৰ পৰাই আক্সেনষ্ট্ৰাচ (Axentrasse) নামৰ বিখ্যাত আলিৰ আৰম্ভ হয়। শিল্পকলাৰ ছিচাবত এই আলি পৃথিবীৰ ভিতৰত লৰ লগীয়া। প্ৰায় ন মাইল ধৰি এই আলিয়েদি স্যুইটজাৰলেণ্ডৰ অপূৰ্ব্ব সৌন্দৰ্য্য উপভোগ কৰিব পাৰি। বহু ঠাইত পৰ্ব্বতৰ মাজত সুৰঙা কাটি এই আলি সজা হৈছে। এই আলিয়েদি গৈ আমি "উৰি" (Uri) প্ৰদেশৰ ৰাজধানী আল্টডৰফ্ (Altdorf) পাওঁগৈ। এইখন এখন পুৰণিকলীয়া সৰু চহৰ আৰু ইয়াত "উইলিয়ম টেলৰ" এটা দুৰ্জ্জয় শিলৰ মূৰ্ত্তি আছে। এয়েই আমাৰ সেই দিনাৰ পৰিভ্ৰমণৰ সীমা।

উইলিয়ম টেলৰ স্যুইটছ্ জাতীয়তা জাগৰণত কিমান হাত আছিল ঐতিহাসিক সকলেহে কব পাৰিব। কিন্তু আমি দেখিলোঁ যে স্যুইটছ জাতি এই বীৰৰ পূজাত মজীয়া। আমাৰ দেশৰ মনিৰাম দেৱানৰ নামৰ লৰে স্যুইটজাৰলেণ্ডৰ গাৱেঁ গাৱেঁ "টেলৰ নাম" (Tell ballads) গায়।

স্যুইটজাৰলেণ্ডত পৰ্ব্বত বগোৱা, জাৰ কালিয়েই হওক বা গৰম কালিয়েই হওক, যাত্ৰীসকলৰ এটি প্ৰধান আমোদজনক কাম। লুচাৰ্ণৰ ওচৰত "পিলেটাচ" (Pilatus) আৰু "ৰিগি"য়েই (Rigi) আটাইতকৈ ওখ গাহাৰ। দুয়ো পাহাৰত উঠা নমা কৰিবলৈ পৰ্ব্বতীয়া ৰেলগাৰী (Mountain railways) আছে। মই মোৰ ইংৰাজ বন্ধুজনৰ সৈতে এই বেলেদি "পিলেটাচৰ" মুলুকলৈ গৈছিলোঁ। বেলখন ট্ৰেম গাৰীখনৰ নিচিনা আৰু চলেও সেই অনুপাতেই। বেলতে এজন ৮০।৮৪ বছৰীয়া ভদ্ৰলোকক লগ পাইছিলোঁ। তেওঁ আমাক অলপ উগুৱা কৰি কলে বোলে ডেকা কালত তেওঁ খোজ কাঢ়ি ছেনো কিমানবাৰ সেই পৰ্ব্বত উঠা নমা কৰিছে তাৰ ঠিক্ নাই। কথাখাৰ শুনি মই পেটে পেটে "ৰিগি" পাহাৰটো বগাবলৈ পাতিলোঁ। সেইদিনা গধুলি হোটেললৈ গৈ "ৰিগি" পাহাৰ বগাবলৈ এটি দল গঠন কৰিলোঁ। ৯।১০ জন মান ওলাল, তাৰ ভিতৰত ৪।৫ গৰাকীমান মহিলা। আমি পৰচা তুলি প্ৰথম আৰু দ্বিতীয় হোৱা দুজনক দিবলৈ দুটা পুৰস্কাৰো কিনিলোঁ। পিছদিনা আমি সকলোৱেই পৰ্ব্বত বগোৱা বুট জোতা আৰু ব্ৰিচেচ (Breeches) পিন্ধি ওলালোঁ আৰু প্ৰত্যেকেই হাতৰ তলত লোহাৰ গজাল থকা লাঠি একোডাল ললোঁ। লগতে এজন "গাইডো" বন্দোবস্ত কৰি ললোঁ।



পাহাৰ বগোৱা পৰ্ব্বতীয়া ৰেলগাড়ী (Mountain Railway)

'ৰিগি' পাহাৰৰ তলৈকে আমি জাহাজেৰে গৈ তাৰ পৰা পাহাৰ বগোৱা আৰম্ভ কৰিলোঁ। গোটেই বাটৰ ৰ্ বগোৱা বিশেষ টান নহয়। গোহাটীৰ পৰা খিলঞলৈ যোৱা আলিৰ দৰে (যদিও তাতকৈ বহুত থিয়) আলিয়েদি আমি অকাই-পকাই উঠিবলৈ আৰম্ভ কৰিলোঁ। কিন্তু বাদ অতি চোকা হোৱাত আমি কষ্ট পাইছিলোঁ। এই

ৰ বাট যোৱাৰ পিছত আমি এটি বেষ্টৰাঁ পালোগৈ। তাতে আমি পানী-ছনি খাই ললো। পাঁচজনে তাৰ পৰা আৰু নোযোৱাই ঠিক কৰিলে। আমি বাকী কিজনে এটি সৰু সুবসুৰীয়া থিয় বাটেদি অতি কষ্টেৰে আওভাব ধৰিলোঁ। আমাৰ লগতে এগৰাকী ৫০ বছৰীয়া বুঢ়ীও আছিল। এইদৰে এঘণ্টামান যোৱাৰ পিছত বাট আৰু নাইকিয়া হ'ল ; তাৰ পৰা থিয় গঢ়া আৰম্ভ হ'ল। আকৌ তিনিজন যাত্ৰী ইয়াৰ পৰাই ঘুৰিল। বাকী থাকিলোঁ



"ৰিবি পাহাৰৰ দৃশ্য।" ওপৰলৈ পৰ্ব্বতীয়া বেল গৈছে

মই, এজন ষ্টুটলেণ্ডৰ ভদ্ৰলোক আৰু আমাৰ "গাইড" জন। তাৰ পিছৰ পৰা আমাৰ দুৰ্গতিৰ সীমা নোহোৱা হ'ল। ক'ত ভবি দিলে খোপনি বয় তাৰ ঠিক নাই অথচ পিচলি পৰিলে যে একেবাৰে তলত পৰি জোল হব লাগিল, এই কথা বুজিবলৈ বাকী নাছিল। কেইটামান ফুট উঠিবলৈকে আমাৰ ১০।১৫ মিনিট লাগিবলৈ ধৰিলে। "গাইড" জনে হলে অনায়াসে বগাই যাব ধৰিলে ; মাত্ৰ খোপ খোপে আমাৰ নিমিত্তে অপেক্ষা কৰে আৰু বৰ থিয় গঢ়া হলে বহী পেলাই দি আমাক চোচৰাই নিয়ে। এইদৰে চুচৰি-বাগৰি যোৱাত আমাৰ কষ্টৰ সীমা নাছিল, মাজে মাজে ভাবিছিলোঁ, "কেলৈ আহিছিলোঁ মৰিবলৈ," কিন্তু তেতিয়া আৰু উপায় নাছিল ঘুৰি অহা যে কম কষ্টকৰ বা বিপদজনক হ'লহেতেন সি নহয়, সেই থিয় গঢ়া বোৰেদি নমা মই ভাৰিবই নোৱাৰাবিছিলোঁ। অগত্যা কেবলুৱা বওৱাদি বগাবলৈ ধৰিলোঁ। আমাৰ মুখত মাত নাই নিজ নিজ প্ৰাণ লৈ টনা টনি। মোৰ সহযাত্ৰী জন মোতকৈ আগ হৈ যাব ধৰিলে, আৰু "গাইড" জনে আটাইতকৈ আগ হৈ "এইফালে ভবি দে সেইফালে ধৰ" ইত্যাদি বুলি চিঞৰি যাবলৈ ধৰিলে। তাৰ চিঞৰে কাৰ্য্যত বিশেষ সহায় কৰিছিল যেন নালাগিছিল, গতিকে সেই চিঞৰ শুনিবৰ মন নোযোৱা হৈছিল। তদুপৰি মাজে মাজে তাক ওণ ওণ কৰি গান গাই যোৱা শুনি মোৰ পেটে পেটে বৰ খং উঠিছিল।

মাহওক এইদৰে ৪।৫ ঘণ্টা বগোৱাৰ পিছত মেঘা মুখচৰ ওপৰত পুতি থোৱা নিচান দেখিবলৈ পালোঁ তেতিয়া অপাৰ সাগৰত কুল পোৱা যেন নাগিল। মোৰ সহযাত্ৰীজনে প্ৰথমে মুখচ পালেগৈ। মই দ্বিতীয় হোৱাত পুৰস্কাৰ স্বৰূপে পিছদিনা হোটেলত পৰ্ব্বত বগোৱা লাঠি এডাল পালোঁ। পৰ্ব্বতৰ মুখচত উঠি আমি কেই মাইললৈকে দেখা পোৱা, হ্ৰদ, নদী, পাহাৰ আদিৰ দৃশ্য চাবলৈ লাগিলোঁ, তাত বেছ জাৰ লাগিব ধৰিলে। তাতে এটা সৰু বেষ্টৰাঁও আছে। আমি তাত খাই বৈ বৈ জিৰাবলৈ আৰম্ভ কৰিলোঁ। সহযাত্ৰীজন জিৰাই শতাই টনকিয়াল হৈ পৰিল। মোৰ হে কিন্তু অৱস্থা পোচনীয় হৈছিল। লাঙত যদিও কাকো কোৱা নাছিলো। মোৰ হাত ভবি প্ৰায় অসৰ হৈ পৰিছিল। যিহক দুখী মানৰ পিছতে বেলগাৰী আছিল আৰু আমি তাৰো তললৈ নামিলোঁ ভাড়া লাগিল ২১ ষ্ট্ৰাইটছ্ ফ্ৰাঁ অৰ্থাৎ প্ৰায় ১১ টকা গতিকে ভাড়া কম নাছিল। ঘুৰি আহি পিছ দিনা মই গাৰ বিষত তৎ পোৱা নাছিলোঁ। এই গল পৰ্ব্বত বগোৱা।

ষ্ট্ৰাইটজাৰলেণ্ডত বিমান পৰ্য্যটন হল তাৰ ভিতৰত "ৰোণ গ্লেচিয়াৰ" (Rhone glacier) চাবলৈ যোৱা অন্য

টোৱেই আটাইতকৈ উপাদেয় আছিল। এনে ভ্ৰমণ ইউৰোপতলো নাযেই গোটেই পৃথিবীতে হেনো অতি বিৰল। স্পেইনৰ গিবেলিজত, ইটালিত আল্পছ্ত মই ষ্টেবৰে ঘুৰিবৰ সুবিধা পাইছিলোঁ, কিন্তু এনে ধুনীয়া প্ৰাকৃতিক দৃশ্যৰ মাজেদি ভ্ৰমণ কেতিয়াও কৰা নাই।

ৰাতি পুৱাতে মটৰেৰে "ৰোণ গ্লেচিয়াৰ" চাবলৈ যাত্ৰা কৰা হৈছিল। প্ৰথমে গৈ আমষ্টেগ্ (Amstag) বোলা নগৰখন পোৱা হয়। ইয়াতে এটি বৰ ডাঙৰ Power station আছে। ইয়াৰ পৰাই অকাই-পকাই ৰোৱা আলিয়েদি ক্ৰমাং ওপৰলৈ উঠি উঠি বিখ্যাত "চেণ্ট গথাৰ্ড" (St. Gothard) সুৰঙ্গৰ মুখ পায়হি। এই সুৰঙ্গই পৃথিবীৰ ভিতৰত বৃহত্তম দ্বিতীয় স্থান অধিকাৰ কৰিছে। আলিৰ দুয়ো কাষে বজ্ৰধ্বনিৰে কুদ নদী (River Reuss) অসংখ্য জলপ্ৰপাত সৃজন কৰি ৰখিছে। ঘুৰি ঘুৰি উঠি এখন প্ৰকাণ্ড নলং পোৱা যায়। এই দলঙৰ নাম হৈছে "ডেভিলচ্ ব্ৰিজ," (Devils Bridge) তাৰ পৰা গৈ "ফুৰ্কা পাচৰ" (Furka pass) মুখচ পোৱা হয়গৈ। ই প্ৰায় ৮০০০ ফুট ওখত। চোকা ৰ'দ থকা সত্বেও এই ঠাইখন একেবাৰে হেৰেৰে ঢকা। জাৰকালিৰ কথাই নাই, গ্ৰীষ্মৰ দিনতো ইয়াত সদায়েই বৰফে ঠাইখন বগা কৰি থয়। তাতে আঁৰ হোটেল এটাত খাই বৈ লৈ অলপ তললৈ নামি "ৰোণ গ্লেচিয়াৰ" পালোগৈ। গ্লেচিয়াৰটো এখন বৰফৰ নৈ আৰু এটা বৰফৰ পাহাৰ বুলিব পাৰি। বৰফৰ পাহাৰটোৰ ভিতৰত এটা সুৰঙ্গ আছে। তাত সোমালে নিচুৰ গাটোকে কলপতীয়া দেখা যায়। যাত্ৰীবিলাক ভোমাই দেখিছেই সুৰঙ্গটো সদায় পৰীক্ষা কৰি থকা হয়। বহু দিনৰ আগতে বোলে ইয়াত বৰফ ভাঙি পৰি এগৰাকী মহিলাক পুতি পেলায়। ছুকুৰি বছৰৰ পিছত যেনে মৰাশটো ওলায় ; শটো গেলা পচা নাছিল। ভৌগলিক সকলে কয় যে গ্লেচিয়াৰ লাহে লাহে চলে। দিনে বোলে প্ৰায় এক ইঞ্চি মানহে যায়।

গ্লেচিয়াৰৰ পাৰত বৰ জাৰ, আৰু কুঁৱলীয়ে গোটেইখন ঢাকি থয়। বৰফুণ হঠাতে আহে হঠাতে যায়। গ্লেচিয়াৰৰ ওপৰত ৰ'দৰ জিলিকনি পৰা দৃশ্য অতি মনোৰম। এই গ্লেচিয়াৰ চাবলৈ লুচার্ণৰ পৰা প্ৰায় দুশ মাইল আহিব লগা হৈছিল।

লুচার্ণৰ আৰু এটা চাবলগীয়া বস্তু "বুৰগেনস্তক" (Burgenstock) বোলা পাহাৰৰ ওপৰত থকা ফুলনি বাৰী। তালৈ আমি Lift বে উঠিছিলোঁ। ইমান ওপৰলৈ যোৱা Lift হেনো আৰু পৃথিবীত নাই। এই খনেই পৃথিবীৰ ভিতৰত আটাইতকৈ ওখ ফুলনি বাৰী।



"ৰোণ গ্লেচিয়াৰ" Rhone Glacier

মই গৰম কালিহে ষ্ট্ৰাইটজাৰলেণ্ডলৈ গৈছিলোঁ। তেতিয়া ষ্ট্ৰাইটজাৰলেণ্ড এখন ফুলৰ বাগিচা মাত্ৰ। হাবিয়ে-বননিয়ে, পাহাৰে-পৰ্ব্বতে কেৱল ফুল। পিচে জাৰকালি ষ্ট্ৰাইটজাৰলেণ্ডে বেলেগ মূৰ্ত্তি ধাৰণ কৰে। ফুলেৰে ঢাক খাই থকা ঠাই বৰফেৰে ঢাক খাই পৰে। জাৰকালিৰ বৰফৰ আভাস অলপ "ৰিগি" পৰ্ব্বতৰ ওপৰত আৰু "ৰোণ গ্লেচিয়াৰত" পোৱা গৈছিল। তেতিয়া জাৰকালিৰ যাত্ৰীসকলে বেলেগ ধৰণৰ আমোদ-প্ৰমোদ

কৰে। এইদৰে যাত্ৰীসকলক লৈয়েই স্যুইটস্যাৰলেণ্ডৰ বেহা বেপাৰ। আজিকালি খোজকাঢ়ি ঘূৰি ফুৰাৰ (Hiking) ইউৰোপত ধুম পৰিছে। তাৰ নিমিত্তে স্যুইটস্যাৰলেণ্ডত অনেক সুবিধা আছে। পাহাৰে-পৰ্ব্বতে ঘূৰি ফুৰি সৰু সৰু গাৱঁত ওলাই তাৰে সৰু সুৰা হোটেল এটাত নিশা কটোৱা আমাৰ প্ৰায়েই ঘটিছিল।

শেষত কব লাগিব যে স্যুইচ্ জাতিটোৰ বিদেশীৰ প্ৰতি আচাৰ ব্যৱহাৰ অতি সুপ্ৰিয়। আজি কালি ইংলণ্ড আদি অনেক দেশেই যাত্ৰী আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে, যাতে দেশৰ বেহা বেপাৰ বাঢ়ে। কিন্তু অতিথিৰ প্ৰতি বিশেষকৈ পয়চা দিয়া অতিথিৰ প্ৰতি ব্যৱহাৰ ৰমণীয় নহলে, এই চেষ্টা বৃথা হয়।

কবি দুৰ্গাবৰ কায়স্থ

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

অসম সাহিত্য সভাৰ সঙ্গীত সন্মিলনীৰ যোৱা অধিবেশনৰ সভাপতি শ্ৰীযুত পদ্মধৰ চলিহা এম-এ, বি-এল, দেৱে তেখেতৰ অভিভাষণত অসমত সঙ্গীত চৰ্চ্চাৰ ইতিহাস প্ৰসঙ্গত গীতি ৰামায়ণ আৰু পদ্মপুৰাণ ৰচোঁতা কবি দুৰ্গাবৰ কায়স্থৰ চিনাকি দিবলৈ গৈ এইদৰে লিখিছে :—

"শঙ্কৰী যুগৰ অলপ আগতে হাজোৰ ওচৰৰ এখন গাঁৱত দুৰ্গাবৰ কায়স্থৰ জন্ম হয়। তেওঁ মাধৱ কন্দলি ৰামায়ণতকৈ সুকীয়া ছন্দত সুকীয়া ভাষাৰে নতুন ৰকমৰ ঘোষাৰ সহযোগ কৰি সুললিত সুৰেৰে সেইবোৰ গাইছিল। সেইবোৰ সুৰ দুৰ্গাবৰী বুলিয়েই প্ৰখ্যাত। দৰং আৰু কামৰূপত সেই বিলাক নাম কৰতাল আৰু খঞ্জৰীৰ লগত গোৱা হয়।" শঙ্কৰী যুগৰ অলপ আগতে জন্ম হৈছিল বুলি চলিহাদেৱে কি প্ৰমাণ পাইছে আমি নাজানো। যদিহে তেখেতৰ হাতত এনে কিবা প্ৰমাণ আছে তেন্তে "আৱাহন"ত প্ৰকাশ কৰিলে বৰ ভাল হয়। আমি দুৰ্গাবৰক শঙ্কৰ দেৱৰ সম সাময়িক কবি বুলিহে জানোঁ। শঙ্কৰদেৱৰ জন্ম শক ১৩৭১ আৰু বৈকুণ্ঠী হোৱাৰ শক ১৪৯০। ১৫১৫ খৃষ্টাব্দ (শক ১৪৩৭)ত বিশ্বসিংহ ৰজা হয়। আৰু ১৫৪০ খৃষ্টাব্দ (১৪৬২ শক)ৰ ওচৰাওচৰিত তেওঁ স্বৰ্গী হয়। কবিয়ে পদ্মপুৰাণৰ পদ ৰচনা কৰাৰ সময়ত বিশ্বসিংহ কোচবিহাৰৰ সিংহাসনত। এই পুথিতে দুৰ্গাবৰে বিশ্বসিংহ ৰজা, তেওঁৰ আঠচল্লিশ গৰাকী ৰাণী আৰু ওঠৰ জন কোঁৱৰলৈ বন্দনা জনাইছে। বিশ্বসিংহ প্ৰতাপী হৈ উঠে ১৫১৫ খৃষ্টাব্দৰ ওচৰাওচৰিত। পৰাক্ৰমী হৈ উঠাৰ কিছুকালৰ পিছতে তেওঁ বামুণসকলৰ প্ৰভাৱত পৰি হিন্দু ধৰ্ম্ম লয় আৰু এই ধৰ্ম্মৰ অতি অনুৰাগী হয়। নীলাচলত কামাখ্যা মন্দিৰ তেওঁ সজাই আকৌ পূজা প্ৰচলন কৰায়। কামাখ্যালৈ আহোঁতেই খুব সম্ভৱ আমাৰ কবিয়ে মহাৰাজৰ দৰ্শন পায় আৰু হয়তো অলপ পৰিচয়ো হয়। পদ্মপুৰাণত তেওঁ লিখি থৈ গৈছে:—

"কমতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো ওঠৰ কোৱাৰ॥"

—দুৰ্গাবৰী পদ্মপুৰাণ

শঙ্কৰদেৱৰ জন্ম শকৰ পৰা ১৫১৫ খৃষ্টাব্দ অৰ্থাৎ ১৪৩৭ শকলৈকে তিনিকুৰি বছৰ হয়। প্ৰতাপী হৈ উঠি বামুণ সকলৰ প্ৰভাৱত পৰি হিন্দু ধৰ্ম্ম লোৱা, কামাখ্যাত

মন্দিৰ সজোৱা, অইন ঠাইৰ পৰা বামুণ অনা, দুকুৰি আঠ গৰাকীকৈ ৰাণী বিয়া কৰোৱা আৰু ওঠৰজন কোঁৱৰৰ জন্ম—এই সকলো বোৰ ঘটিবলৈ নাইকৈয়ো পাঁচ বছৰ লাগিছিল বুলি ধৰিলেও তিনিকুৰি এঘাৰ বছৰ হয় গৈ অৰ্থাৎ শঙ্কৰদেৱৰ সৈতে একে সময়তে জন্ম হৈছিল বুলি ধৰিলেও কবিৰ বয়স পদ্মপুৰাণ ৰচনাৰ সময়ত তিনিকুৰি এঘাৰ হয় গৈ। অন্ততঃ শঙ্কদেৱৰ পাঁচ ছয় বছৰৰ আগৈয়ে জন্ম হোৱা বুলি ধৰিলেও এই পুথি লেখাৰ সময়ত কবিৰ বয়স ৭৬.৭৭ বছৰ হয় গৈ। পদ্মপুৰাণ ৰচনাৰ পিছতহে তেওঁ নিশ্চয় গীতিৰামায়ণ লেখিছিল। গীতি ৰামায়ণৰ ভাষা, ছন্দ, সুৰ সংযোজন আৰু বিষয়ৰ গুৰুত্বলৈ চাই সহজে অনুমান কৰিব পাৰি যে পদ্মপুৰাণৰ পিছতহে গীতিৰামায়ণৰ ৰচনা হৈছিল। ইমান বুঢ়া বয়সত যে কবিয়ে এই দুখন পুথি লেখিছিল এই কথা সম্ভৱপৰ নহয় আৰু লেখিছিল বুলি দেখুৱাবলৈ প্ৰমাণৰো অভাৱ। তদুপৰি কোনো পুথিৰে পৰা দুৰ্গাবৰ শঙ্কৰদেৱ পূৰ্ব্ববৰ্ত্তী কবি বুলি জানিব পৰা নাযায়। অইন প্ৰমাণৰো অভাৱ। এনেস্থলত আমি দুৰ্গাবৰ শঙ্কৰ দেৱৰ সমসাময়িক কবি বুলি নিসঙ্কোচে সিদ্ধান্ত কৰিব পাৰোঁ। সমসাময়িক কবি বুলিহে—সমসাময়িক লোক বুলি নহয়; কিয়নো আমাৰ অনুমান যে তেওঁ শঙ্কৰদেৱতকৈ বয়সে হয়তো সৰুৱেই আছিল।

তাৰ পিছত কবিৰ বাসস্থানৰ বিষয়েও চলিহা দেৱৰ সৈতে আমি একেমন হব নোৱাৰিলোঁ। হাজোৰ ওচৰৰ গাওঁ এখনত তেওঁৰ জন্ম হৈছিল বুলি তেখেতে কি সঁজুলিৰ বলত সিদ্ধান্ত কৰিলে, আমি জনা নাই। হাজোৰ স্বৰ্গীয় সাহিত্যানুৰাগী পুৰুষ ৺ বিষয় চন্দ্ৰ বিশ্বাসী দেৱে দুৰ্গাবৰ ৰচিত গীতিৰামায়ণ খনি প্ৰকাশ কৰে। আমি আজিলৈকে জানো যে কবি দুৰ্গাবৰৰ ঘৰ কামাখ্যাতহে আছিল। পদ্মপুৰাণত তেখেতে চাৰি ফাকি পদ দি গৈছে—

"কবি দুৰ্গাবৰে বিৰচিলা অনুপান।
পৰ্ব্বত গহীন নীল গিৰিজাৰ ধাম॥
নীলাচল নামে গ্ৰাম সংসাৰতে সাৰ।
আছয় পাৰ্ব্বতী অসুৰত ক্ষয়ঙ্কাৰ॥"

ওপৰৰ পদ কেফাকিৰ বলত আমি নিসন্দেহে এতিয়া কব পাৰোঁ যে কামাখ্যা পৰ্ব্বত দুৰ্গাবৰৰ বাসস্থান আছিল। কবিৰ এই আত্মপৰিচয়তকৈও বিশ্বাসযোগ্য প্ৰমাণ আমাৰ হাতত নপৰালৈকে তেওঁৰ জন্ম হাজোৰ ওচৰৰ এখন গাৱঁত হৈছিল বুলি চলিহা দেৱৰ সৈতে আমি একেমত হব নোৱাৰিম। কিছুমান দিনৰ আগতে "অসমীয়াত" দুৰ্গাবৰী সুৰ নামেৰে এটি চমু প্ৰবন্ধত, প্ৰবন্ধ লিখকে দুৰ্গাবৰ হাজোৰ ওচৰৰ মানুহ আছিল বুলি লিখিছিল। চলিহাদেৱে সেই প্ৰবন্ধ পঢ়ি এই সিদ্ধান্ত কৰিছে বুলি ভাৱিব লগা হৈছোঁ।

কবি জাতত কায়স্থ আছিল আৰু কোনোবা চন্দ্ৰধৰৰ পুতেক আছিল। পদ্মপুৰাণত আছে ;—

"কায়স্থ শ্ৰীচন্দ্ৰধৰ তাৰ পুত্ৰ দুৰ্গাবৰ
বিৰচিল গীত বিতোপণ।
বাহুবল্ল সিকদাৰ গন্ধৰ্ব্ব যে অৱতাৰ
সৰ্ব্বক্ষণে ব্ৰহ্মাণী প্ৰসন্ন।"

দুৰ্গাবৰৰ বংশলতা আমি অনুসন্ধান কৰি পোৱা নাই। কোনোবাই পাইছে যদি প্ৰকাশ কৰিলে নতুন কিবা কথা ওলাব বুলি আশা কৰিব পাৰি।

গীতিৰামায়ণ খনৰ বিষয়ে অলপ আলোচনা কৰাটোও এই প্ৰসঙ্গত আৱশ্যকীয় হৈছে। পদ্মপুৰাণ যি উদ্দেশ্যেৰে লিখিছিল গীতিৰামায়ণ খন লেখাতো দুৰ্গাবৰৰ সেই একে উদ্দেশ্যই আছিল। বিবিধ সুৰেৰে পদ্মপুৰাণ খন গাৱঁলীয়া ওঝাই গাইছিল। মুখে মুখে বাগৰি অহাত পদ্মপুৰাণৰ সুৰ বিলাকৰ ভালেখিনি সালসলনি হল। এঠাইৰ ওঝাই এক ৰকমে আৰু আন ঠাইৰ ওঝাই আন ৰকমে গাবলৈ ধৰিলে। এনে হোৱাটো খুব স্বাভাৱিক, কিয়নো দুৰ্গাবৰী পদ্মপুৰাণ পুথি আকাৰে পাবলৈ টান হোৱাৰ পৰাই জানিব পাৰি যে নিৰক্ষৰ ওঝা বিলাকৰ মুখেৰেই ইয়াৰ প্ৰচাৰ হৈছিল। নিৰক্ষৰ শিকাৰুৱে সেই একে নিৰক্ষৰ ওঝাৰ পৰা মুখে মুখে শিকি লৈছিল। এতিয়া এঠাই কি দুঠাইতহে লিখিত আকাৰে এই দুৰ্গাবৰীখন পাবলৈ আছে। গীতিৰামায়ণখনত দুৰ্গাবৰে নিজে কোন আধ্যা কোন সুৰত গাব লাগে তাৰ

দিছা দি গৈছে। এই সুৰ বিণাকেই অসমত দুর্গাৰবী সুৰ বুলি জনাজাত। (কিছুমান দিনৰ আগতে "বাঁহীত" অতি চমুকৈ দুর্গাৰবৰ পৰিচয় দিছিলোঁ। কোনো কোনো বিষয়ত মোৰ তেতিয়াৰ অভিমত আজিৰ প্ৰবন্ধত সলাব লগীয়া হৈছোঁ। আমাৰ উদ্দেশ্য সত্য ওলাই পৰিব লাগে ইমানেইহে।)

দুর্গাৰবী পদ্মপুৰাণৰ আলোচনা প্ৰসঙ্গত এটা কথা মন কৰিব লগীয়া এই যে এতিয়াও কামৰূপ জিলাৰ ঠাইে ঠাইে দুর্গাৰবী থন মুখত মাতিব পৰা ওস্তা আছে। এসময়ত এই অঞ্চলৰ কি হিন্দু কি মুছলমান সকলোৰে মাজত পদ্মপুৰাণত উল্লেখ কৰা বিষহৰী বা মনসা দেৱীৰ পূজা প্ৰচলিত আছিল। হিন্দু মাদুহেও পূজা পাতি মুছলমান ওস্তাৰ হতুৱাই পদ্মপুৰাণখন গোৱাইছিল। মনসা পুজাৰ কেউদিনাই এইদৰে পদ্মপুৰাণ গোৱা হৈছিল। এইদৰে হিন্দু-মুছলমান দুয়ো ধৰ্ম্মৰে মানুহে এজনা গোসানীকে পূজা কৰা দৃষ্টান্ত অনন্যসাধাৰণ আৰু কৌতুহল পূৰ্ণ। এই প্ৰথাৰ ওৰিতে অতীতৰ কি ইতিহাস লুকাই আছে কব নোৱাৰি ; কিন্তু এই ইতিহাস যে বহস্যেৰে পূৰ্ণ এই কথা ওলাই আছে।

আজি কালি মুছলমান ওস্তাই 'পুৰাণ' নাগায়।* পিছৰ কোনো এক সময়ত কিবা আন্দোলনৰ ফলত প্ৰক্ষিপ্ত আৰু গোসানীৰ পূজা বুলিয়েই নিশ্চয় মুছলমান সকলে ওস্তা গাবলৈ আৰু বিষহৰীক পূজিবলৈ এবি দিলে। সমাজৰ শাসনতে বোধকৰো জনা বিণাকেও প্ৰকাশে হিন্দুৰ পূজাতো ওস্তা গাবলৈ সাহ নকৰা হল। এই বিষয়ে কামৰূপৰ কোনোবা এজন বয়ো বৃদ্ধলোকে যেখনি ধৰিলে আমি ভালেখিনি নতুন কথা জানিবলৈ পাম।

মনসা আৰু বিষহৰী পূজাৰ বিষয়ে এদিন বহলাই আলোচনা কৰিবৰ মন থাকিল। খুব সম্ভৱ আধা সাৰ আধা নাৰীকাঁয়া মনসা দেৱী ওৰিতে অনাৰ্য্য সকলৰে উপাস্যা দেৱী আছিল আৰু শেষত সেই কালৰ সকলোকে সাৱটি লব পৰা শক্তি সম্পন্ন ব্ৰাহ্মণসকলৰ দ্বাৰাই হিন্দু দেৱীত পৰিণত হ'ল।

* আজি প্ৰায় ২০।২২ বছৰৰ আগত বজালীৰ অন্তৰ্গত মৰকা গাঁৱৰ এগাকী মুছলমান বন্ধুৰ ঘৰত মাৰে পূজা (মনসা পূজা) চাবলৈ পাইছিলো। পূজা উপলক্ষে পদ্ম পুৰাণ গোৱা ওস্তা-পাতীসকল হিন্দু নে মুছলমান আছিল তেতিয়া বুজিব পৰা নাছিলো। —সম, আ

সপোন-কবিতা

—শ্ৰীযুত গণেশ চন্দ্ৰ গগৈ

কবিতা—

—যৌৱনৰ মাধবী কুঞ্জত,
যিদিনা শুনিলো প্ৰিয়ে, মৃদুল মধুৰ
প্ৰেম-ভৰা মিলনৰ মউসনা সুৰ,
সাজিলো গোপনে বহি সপোন কবিতা
তেজৰ টোপাল গাঁথি আপোন বুকুৰ !

সেইদিনা গধুলিৰ মধু-লগনত
থাকোতে শেৱালি বহি সুৰভি বিণাই
ছল চাই শৰতত বলিয়া বতাহে,
চুমা দিলে আজলীৰ ওৱণি গুচাই ?

সেইদিনা শান্তিময়ী জোনাক যামিনী
শান্তনাৰ-সুধা ল'ই দিছিলেহি দেখা
বুকুৰ চুপহি মেলি ৰূপহী তৰাই
নীলিমাতে আঁকিছিলে মিলনৰ লেখা !

* * * *

—আজি সেই মাধবী কুঞ্জত,
আপোন সুৰত বয় বিৰহ সোঁত,
আপোনা- অপুনি জলে মিলনৰ-চিতা,
তেজৰ বাঙলী বোল আপুনি শুকাই
সপোনতে উটি যায় সপোন-কবিতা !

বেদ সতঃ প্ৰমাণ

(মীমাংসকৰ মতে)

[আগৰ সংখ্যাৰ পাছৰ পৰা]

—শ্ৰীযুত মনোৰঞ্জন শৰ্ম্মা স্মৃতিশাস্ত্ৰী

বেদ অনাদি, আৰু নিত্য, এয়ে হ'ল মীমাংসা চাৰ্য্যৰ সিদ্ধান্ত। তেখেত সকলে কয় যে, বেদ অনাদি কালৰ পৰা শ্ৰুত আৰু অধীত হৈ চলি আহিছে। দ্বিজাতি সন্তানে উপনয়নৰ পিছত গুৰু বা আচাৰ্য্যৰ মুখৰ পৰা বেদ শুনে, আৰু দিদৰে শুনে সেইদৰে উচ্চাৰণ কৰিবলৈ অভ্যাস কৰে। সেই গুৰুৱেও নিজৰ গুৰুৰ ওচৰত সেই ভাৱেই বেদ অধ্যয়ন কৰিছিল। তেওঁৰ গুৰুৱেও আকৌ নিজৰ আচাৰ্য্যৰ মুখত দিদৰে শুনিছিল সেইদৰে আওঁৰাই মনত ৰাখিছিল (১)। এইদৰে অনাদি কালৰ পৰা বেদৰ অধ্যয়ন অধ্যাপনা চলি আহিছে। আজি কালিৰ দৰে তেতিয়া বেদৰ সূত্ৰবোৰ লেখি থোৱা নিয়ম নাছিল, সেই বাবেই বেদক শ্ৰুতি বোলে। কোনো এক নিৰ্দ্দিষ্ট সময়ত কোনো এক ব্যক্তিয়ে বেদ ৰচনা কৰি প্ৰচাৰ কৰিছিল, এনে কোনো প্ৰসিদ্ধি নাই। যদি "মনুসংহিতা" বা ব্যাকৰণ আদিৰ ৰচয়িতা মনু বা পাণিনি আদিৰ দৰে কোনো এজন বেদৰ ৰচয়িতা থাকিলহেঁতেন ; তেন্তে মনুসংহিতা বা ব্যাকৰণ ৰচয়িতা মনু বা পাণিনিৰ নাম, বিষয়ে শিষ্ট সম্প্ৰদায়ত প্ৰসিদ্ধ হৈ আছে ; বেদৰ ৰচয়িতাৰ নামো সেই দৰে বেদৰ লগে লগে প্ৰসিদ্ধ হৈ থাকিল হেঁতেন মনুসংহিতা বা ব্যাকৰণ আদি শাস্ত্ৰ পঢ়োৱাৰ লগে লগে এই শাস্ত্ৰ মনু পাণিনিয়ে ৰচিছে বুলি অধ্যাপকে ছাত্ৰক কৈ দিয়ে; কিন্তু বেদ পঢ়োৱাৰ সময়ত হলে আচাৰ্য্যই শিষ্যক এই বেদ অমুক সময়ত অমুকে প্ৰণয়ণ কৰিছিল বুলি নকয়। বেদৰ ৰচয়িতা যদি থাকিল হেঁতেন তেন্তে নিশ্চয় ওকৰে কৈ দিলে হেঁতেন যে, এই বেদ অমুকে ৰচনা কৰিছে। এই কথা নোকোৱাৰ কাৰণ হৈছে যে, বেদৰ কৰ্ত্তা কোন তেখেতে নাজানে। মীমাংসক সকলে কয় যে ইতিহাস আৰু প্ৰামাণিক লোকৰ পৰা জানিব পাৰিছোঁ, বেদাধ্যয়ন হেনো কেৱল গুৰুৰ ওচৰত হে হয়। ভাৰতবৰ্ষত মানুহ আছিল অথচ বেদৰ অধ্যয়ন অধ্যাপনা নাছিল, এনে যে কোনো এটা সময় আছিল, তাৰ কোনো প্ৰমাণ নাই। বেদ পঢ়াৰ লগে লগে নানা ব্ৰত উপবাস নিয়মৰ অনুষ্ঠান কৰিব লাগে। বেদৰ প্ৰত্যেক পদৰ প্ৰতি বৰ্ণৰ কেনে সুৰ (সুৰ অৰ্থাৎ উদাত্ত অনুদাত্ত স্বৰিত) আছে তাৰ অনুসন্ধান কৰাৰৰ বৈদিক সম্প্ৰদায়ত চলি আহিছে। এনেকুৱা বেদৰ ৰচনা কোনে কৰিলে, তাৰ কোনো খবৰ বৈদিক সম্প্ৰদায়ে অলপো নাৰাখিলে; এই বিশ্বাস কৰিব পাৰিনে ? যদি কোনো বেদৰ ৰচয়িতা আছিল, তেন্তে তাৰ স্মৃতি একেবাৰে লোপ হোৱাৰতো কোনো কাৰণ দেখা নাযায়। বৈদিক সম্প্ৰদায়টো যেতিয়া একে বাহে চলি আহিছে, সেই সম্প্ৰদায়ৰ প্ৰধান উপজীব্য (অৱলম্বন) বেদৰ ৰচয়িতাৰ স্মৃতি সেই সম্প্ৰদায়ৰ মাজৰ পৰা কোনোৱে নজনাকৈ চিৰদিনলৈ চিন ছাব নোহোৱা ভাৱে লুপ্ত হোৱাটো সম্ভৱ হয়নে ?

যদি কোৱা যে, সেই সময়ত মানুহ বোৰ অশিক্ষিত আছিল, যাৰ যেতিয়া যি মনত আছে তাকে গাঁথ, পিছত

(১) বেদস্যাধ্যয়নং সর্ব্বং গুর্ব্বভ্যাসেন পূর্ব্বকং। বেদাধ্যয়ন সামান্যাদনূনা যাদনং যথা ॥ ভাষ্য প্রকাশ একাশ্চিৎ বেদবার্ত্তাস্তি বেদযাজ্ঞী পিতামহঃ তথৈব কর্ম্মমৰ্ত্তি মনুঃ কল্পান্তরান্তরে ।—পরাশর
বাসনপোত্ত ভূতানাং কর্ম্মনাঞ্চ প্রবর্ত্তনম। বেদশব্দেভ্যো এবাদৌ নির্ম্মমে চমহেশ্বরঃ ॥ মনু।
অনাদি নিধনা নিত্যা বাগুৎসৃষ্টা স্বয়ম্ভবা। আদৌ বেদময়ী বিদ্যা যতঃ সর্ব্বা প্রবৃত্তয়ঃ ॥

সেই গান বোৰে বেদৰূপে পৰিণত হ'ল ; সেই সময়ত কোনে কেতিয়া কি গায় তাৰ খবৰ কোনে ৰাখিবলৈ যায়। তেন্তে এই অনুমানৰ হেতু কি ? সন্তোষ জনক হেতু নহলে তো অনুমান প্ৰমাণ হব নোৱাৰে। অশিক্ষিতৰ স্বেচ্ছা পূৰ্ব্বক গীত-গীতিকা ৰাশি এনে যুক্তি পূৰ্ণ হব পাৰেনে ? যুক্তিপূৰ্ণ নহলে নো আজি গোটেই পৃথিবীৰ সভ্য জাতিবোৰে বেদৰ আলোচনাত গা ঢালি দিছে কিয় ? অশিক্ষিত কিছুমানৰ কথাত বা অবিচ্ছিন্ন ভাৱে প্ৰবল সম্প্ৰদায় এটা ইমান দিনলৈ চলি থাকিব পাৰে কেনেকৈ সেই গতিকে এয়ে যুক্তি-সঙ্গত আৰু অৱশ্য স্বীকাৰ্য্য যে বেদ কোনো মানুহৰ দ্বাৰা ৰচিত নহয়। মানুহৰ সৃষ্টি কেতিয়া কেনেকৈ হ'ল ? এই প্ৰশ্নৰ যিদৰে সকলোৰে সন্তোষ জনক আৰু প্ৰামাণিক উত্তৰ সম্ভৱপৰ নহয়, সেইদৰে মানুহৰ ঐহিক পাৰত্ৰিক কুশলৰ নিদান বেদ কেতিয়া কেনেকৈ ভাৰতত আবিৰ্ভূত হ'ল—এই প্ৰশ্নৰো সপ্ৰমাণ সদুত্তৰ সম্ভৱপৰ নহয়। গতিকে বেদ কোনো পুৰুষ বা নাৰীৰ দ্বাৰা ৰচিত ই কোনো প্ৰমাণৰ দ্বাৰা সিদ্ধ বা ব্যৱস্থাপিত হব নোৱাৰে।

কাঠক, কৌথুম, কালাপক প্ৰভৃতি বেদৰ শাখা বোৰৰ নাম আছে ; গতিকে কঠকে কৰাৰ নাম কাঠক, কৌথুমিয়ে কৰাৰ নাম কৌথুম, আৰু কলাপকে কৰাৰ নাম কালাপক হল। এই অনুমানৰ দ্বাৰা এইবোৰ ঋষিয়ে বেদৰ সেই সেই শাখাৰ ৰচক বুলি কব নোৱাৰি। কাৰণ সেই সকল সুপ্ৰসিদ্ধ ঋষিয়ে সেই সেই শাখা ভালৰূপে অধ্যয়ন কৰি প্ৰকৃষ্ট ভাবে অধ্যাপনা কৰিছিল। সেই সেই শাখা প্ৰসিদ্ধ হৈ পৰিল। সেই বুলি তেওঁলোকেই বেদৰ সেই সেই শাখাৰ ৰচয়িতা আছিল বুলি কল্পনা কৰিবৰ কোনো হেতু নাই (১)।

বেদত বৱৰ প্ৰাবাহায়নি, ঔদ্দালিক, এইবোৰ নাম পোৱা যায়। প্ৰৱহায়ণৰ পুত্ৰক প্ৰাৱাহায়নি বোলে, উদ্দালকৰ পুত্ৰক ঔদ্দালিক বোলে। গতিকে উদ্দালক প্ৰৱহায়ণ আদিৰ পুত্ৰৰ পূৰ্ব্বে অৰ্থাৎ উদ্দালক ও প্ৰৱাহায়ন আদিৰ সময়ত সেই শ্ৰুতি নাছিল। জন্ম মৰণ শীল মানুহৰ নাম থকা গ্ৰন্থ যে জন্মশীল, ইয়াক সহজে বুজা যায়।।

এই যুক্তিৰ দ্বাৰাও বেদৰ ৰচয়িতাৰ কল্পনা কৰা নাযায়। কাৰণ, সেই বোৰ মানুহৰ নাম নহয় ; তাৰ আন অৰ্থ আছে ! "প্ৰ" উপসৰ্গৰ অৰ্থ প্ৰকৰ্ষ বা ভাল, "বহ" ধাতুৰ অৰ্থ বহন কৰা বা পোৱোৱা, কৰ্ত্তৰি বাচ্যে ইনন্ত শব্দ গতিকে প্ৰাবাহায়নি শব্দে যিটোৱে ভালকৈ পোৱায় অৰ্থাৎ বহন কৰে তাকে বুজায়। এইদৰে আন বোৰৰো উপপত্তি হয়। গতিকে এনেকুৱা শব্দ দেখি বেদৰ ৰচয়িতা কল্পনা হে (১) এই বুলি মীমাংসক সকলে কয়। এজন প্ৰতাৰকে প্ৰতাৰণা কৰিবৰ বাবে কিছুমান শব্দ ৰচনা কৰিলে আৰু তাৰ পিছত সি যি শিষ্যক প্ৰথমে সেইবোৰ পঢ়ালে তাৰ আগত কলে যে, এই বোৰ শব্দ অপৌৰুষেয় বা ঈশ্বৰ কৃত, এনেওতো হব পাৰে। এই আশঙ্কাও নিটিকে, কাৰণ, আগৰ মানুহো তো আজি কালিৰ মানুহৰ দৰেই আছিল, গতিকে বেদ প্ৰচাৰক হিচাবে বৈদিক সম্প্ৰদায়ত তাৰ নাম নাথাকিল কিয় ? প্ৰতাৰণাৰে বা কি প্ৰয়োজন ? তাৰ পৰাতো কোনো লাভ দেখা নাযায়। আৰু সেই সময়ৰ আন মানুহ বোৰেই বা এজনৰ কথাত হৰিভৰ দিব কিয় ? বৰং তাৰ সমসাময়িক সকলে প্ৰতিবাদ কৰাই খুব সম্ভৱ। তাৰো তো কোনো প্ৰমাণ নাই। এনে এটা সময় দেখুৱাব নোৱাৰি, আন কি বিৰোধী সকলেও এনে এটা সময় হৈছিল বুলি প্ৰমাণ কৰিব পৰা নাই যে, যি সময়টোত ভাৰতত বেদ নোহোৱাকৈ মানুহ আছিল। এয়ে মীমাংসকৰ, বেদৰ অপৌৰুষত্ব সম্বন্ধে সিদ্ধান্ত। ইয়াৰ পৰাও বেদৰ স্বতঃ প্ৰামাণ্য সিদ্ধ নহয়। কিয়নো শব্দ মাত্ৰই জন্ম-মৰণ শীল, এজনে উচ্চাৰণ কৰিলে জন্মে আৰু তাৰ পিছ মুহূৰ্ত্ততে নষ্ট হৈ যায় গতিকে

(১) সমাখ্যা ধ্যাপকত্বেন বাক্যত্বন্তু পৰাহতম্।
তৎ কৰ্ত্তনুপলম্ভেন স্যাত্ততো পৌৰুষেয়তা ॥ জৈমিনীয় ন্যায়মালা ১।১।৮ ম অধিকৰণ।

(১) মীমাংসা দৰ্শনত বেদাপৌৰুষেয়ত্বাধিকৰণৰ পূৰ্ব্ব পক্ষ সূত্ৰ যেনে "বেদাংশ্চৈকে সন্নিকৰ্ষং পুৰুষাখ্যঃ" ॥২৭॥ "অনিত্য দৰ্শনাশ্চ" ॥২৮॥ ১ অঃ ১ম পাঃ
উত্তৰ পক্ষ সূত্ৰ। যেনে, "আখ্যা প্ৰবচনাৎ ॥ পৰন্তু শ্ৰুতি সামান্য মাত্ৰম্ ॥ ১ ।১।৩০—১০

অপৌৰুষেয় শব্দ থাকিব কেনেকৈ ? এসময়ত ঈশ্বৰে কৈছিল যদিও সি কোৱাৰ পিছতে ধ্বংস হৈ গৈছে। গতিকে বৰ্ত্তমান কালৰ বেদ অপৌৰুষেয় হোৱা অসম্ভৱ। অপৌৰুষেয় নহলে তো স্বতঃ প্ৰমাণ হব নোৱাৰে ; কাৰণ, পৌৰুষেয় শব্দ পুৰুষ সুলভ ভ্ৰম প্ৰমাদাদিৰ দ্বাৰা দুষ্ট হব পাৰে ; সেইয়ে হলে তজ্জন্য জ্ঞান কেনেকৈ প্ৰমাণ হব ? এই আপত্তিৰ উত্তৰত মীমাংসক সকলে কয় যে, শব্দ কেতিয়াও জন্ম-মৰণশীল নহয়, সি নিত্য। কাৰণ, উচ্চাৰণৰ পিছ মুহূৰ্ত্ততে যদি শব্দ নষ্ট হয় তেন্তে অৰ্থ বুজায় কিহে ? ধৰি লবা আমি ব্ৰাহ্মণ শব্দ উচ্চাৰণ কৰিলোঁ ; ইয়াতে কথা হৈছে এই যে, সমুদায় ব্ৰাহ্মণ শব্দটোৰ পৰাই আমাৰ বামুণবিষয়ক বোধ হয়, নে প্ৰত্যেকটো আখৰৰ পৰাই হয় ? শব্দ অনিত্য বুলিলে গোটেই শব্দটোৰ পৰা হব নোৱাৰে ; কাৰণ, সমুদায় শব্দটো এককালতে উচ্চাৰণ নহয়। ব্ৰাহ্মণ বোলোতে প্ৰথমতে "ব্ৰা" জন্মিল আৰু মৰিল ; তাৰ পিছত "হ্ম" জন্মিল, আৰু তাৰ পিছত "ণ" জন্মি মৰিল। ইহঁত তিনিওটা লগ লগাই অসম্ভৱ, লগ নালাগিলে অৰ্থ বুজাব কেনেকৈ ? প্ৰত্যেক আখৰৰ পৰা অৰ্থবোধ হোৱা বুলি কলেও "ব্ৰা" বা "হ্ম" অথবা "ণ" বুলিলেই বামুণ বিষয়ক বোধৰ আপত্তি হয়।

শব্দ নাশৰ পিছতনো অৰ্থ বোধ হব নোৱাৰে কিয় ? এই প্ৰশ্নৰ উত্তৰ এই যে, কাৰণৰ পৰক্ষণতে কাৰ্য্য হব পাৰে তাৰ দুই তিনক্ষণৰ পিছত নোৱাৰে, কাৰ্য্যৰ অব্যৱহিত পূৰ্ব্বক্ষণত কাৰণ থাকিবই লাগিব ; এই নিয়মৰ ব্যতিক্ৰম কেতিয়াও নহয় ; হয় বুলি কলে দম্পতিৰ (পিতা-মাতাৰ) মৃত্যুৰ পিছতো সন্তান জন্মিব পৰা হল। বাৰু শব্দ নাশটোকে অৰ্থবোধৰ কাৰণ বুলি কওঁ ; এই কথা কলে, শব্দ উচ্চাৰণ কৰাৰ বহুদিন পিছতো অৰ্থবোধ হব পৰা হয়। স্বাধিকৰণ সময়ৰ ধ্বংসৰ অনধিকৰণ ক্ষণবৃত্তি শব্দ নাশটোকে শব্দ বোধৰ কাৰণ (১) বুলি কলেও, শব্দৰ পৰা অৰ্থবোধ হয়, এই চিৰন্তন নীতিৰ ব্যাঘাত হয়। আৰু এই কথা কলে ব্ৰাহ্মণ শব্দৰ পৰা অৰ্থ বোধ হব নোৱাৰা হয়। (১)

গতিকে শব্দ নিত্য (২)। "গো" শব্দ যদি দহবাৰ উচ্চাৰণ কৰে, তেন্তে আমালোকে কওঁ যে, সেই "গো" শব্দকে দহবাৰ উচ্চাৰণ কৰিছে। দহোটা "গো" শব্দ উচ্চাৰণ কৰা বুলি নকঁও শব্দ অনিত্য হলে সেই "গো" শব্দ এই কথাৰ অসঙ্গতি হয় (৩) যেনেকৈ বিনাশশীল-সূতাৰ নিৰ্ম্মিত কাপোৰ সূতা নষ্ট হলেই নষ্ট হব বুলি আমালোকে অনুমান কৰো ; শব্দৰ তেনেকুৱা কাৰণ পোৱা নাযায়, যি কাৰণ নষ্ট হলে সি নষ্ট হব বুলি আমি ঠিক কৰিব পাৰোঁ।

অনেকে কয়, বায়বীয় পৰমাণুই শব্দৰ কাৰণ। এই কথা সঁচা নহয়, কাৰণ বায়বীয় পৰমাণু শব্দৰ সমবায়ী কাৰণ ; বায়ুৰ গুণ আমাৰ ত্বগিন্দ্ৰিয় গ্ৰাহ্য গতিকে শব্দও ত্বগিন্দ্ৰিয় গ্ৰাহ্য হ'ল হেঁতেন, তেতিয়া শব্দক কাণেৰে নুশুনি হাতেৰে লাৰি চাই হে তাৰ অনুভৱ কৰিব লাগিল হেঁতেন। আৰু বেদেও, "বাচা বিৰূপ নিত্যয়া" ইত্যাদি বাক্যৰ দ্বাৰা শব্দৰ নিত্যতা প্ৰতিপাদন কৰিছে।

(১) স্ব মানে শব্দ নাশ, তাৰ অধিকৰণ মানে সি যি কালত থাকে সেই কাল, তাৰ ধ্বংস, (নাশ) তাৰ অনধিকৰণ (অধিকৰণ নহয়) যিকাল, সেই কালত থকা শব্দনাশ টোকে শব্দবোধৰ কাৰণ বুলিলে।

(১) মীমাংসকৰ মতে ক্ৰিয়া দ্বিক্ষণস্থায়ী, গতিকে বৰ্ণ জন্মাত দুই ক্ষণ আৰু নষ্ট হোৱাত দুইক্ষণ লাগে। অতএব "ব্ৰ" জন্মি নষ্ট হোৱাত স্থিতি ক্ষণৰ সৈতে পাঁচ (৫) ক্ষণ অতিবাহিত হ'ল, তাৰ পাছত "হ্ম" উচ্চাৰিত হ'ল তাৰো জন্ম মৰণত ৫ ক্ষণ লাগিল তাৰ পাছত "ণ" জন্মি মৰিল তাতো ৫ ক্ষণ ; সেইবাবে "ব্ৰ" নাশৰ অধিকৰণ ক্ষণ ধ্বংসৰ অনধিকৰণ ক্ষণ বৃত্তি, "ব্ৰ" নাশৰ সময়ত "হ্ম" বা "ণ" নাশৰ অধিকৰণ ক্ষণ ধ্বংসৰ অনধিকৰণ ক্ষণ বৃত্তি, "হ্ম" বা "ণ" নাশ থাকিব নোৱাৰে গতিকে সিহঁতো পৰস্পৰ লগ লাগিব নোৱাৰে। এই সংক্ষেপে বুজোৱা হল।

(২) নৈয়ায়িক আদি অনেক দাৰ্শনিকে শব্দৰ নিত্যতা স্বীকাৰ নকৰে। শব্দৰ পৰা যে অৰ্থবোধ হয় সেইটো আনভাবে উপপত্তি কৰে। সি আমাৰ আলোচ্য নহয়।

(৩) "অবাধিত প্ৰত্যভিজ্ঞা বলাদ্বৰ্ণস্য নিত্যতা" ॥ ন্যায় প্ৰকাশ শব্দ নিত্যতাধিকাৰণ ॥

বুৰঞ্জীৰ অপলাপ

[জয়মতী ফিল্ম]

—শ্ৰীযুত ৰজনীকান্ত ৰৱদলৈ

বৰ্ত্তমান ৬ষ্ঠ বছৰৰ যোৱা ৰহাগ (৭ম) সংখ্যা "আৱাহনত" জয়মতী ফিল্মৰ বিষয়ে শ্ৰীমান উমেশ চন্দ্ৰ বৰুৱা বি-এ দেৱৰ সমালোচনা এটি প্ৰকাশ হৈছে। নিজ চকুৰে জয়মতী ফিল্ম চাই আমিও এই বিষয়ে দুশাৰী লিখি মনৰ ঘুছুৰনি এটা অসমীয়া ৰাইজক নজনাই নোৱাৰিলোঁ। কোনো ত্ৰুটী হলে ৰাইজে যেন আমাক ক্ষমা কৰে।

সতী, সাধ্বী জয়মতীক যে লৰা ৰজাই চাওডাঙে লগাই জেৰেঙা পথাৰত পোন্ধৰ দিন যন্ত্ৰণা দিয়াই মাৰিলে আৰু গদাপাণি কোঁৱৰে নগা বেশেৰে আহি যে জয়মতীৰ প্ৰাণ বচাবলৈ দিয়া উপদেশকো নলৈ সতীয়ে স্বামীৰ নিমিত্তে ৰাজ্যৰ নিমিত্তে অকাতৰে প্ৰাণ দিলে এই কথাটো, গেইট ছাহাবৰ বুৰঞ্জী, কি আন কোনো বুৰঞ্জীত নাই। বৰ্ত্তমান আখ্যানটো গোন প্ৰথমে তাহানি আমি কলিকতাত পঢ়োতে ৺বজেশ্বৰ মহন্তই 'জোনাকী'ত লিখিছিল। তেতিয়া মোৰ আৰু আন আন কেবা জনৰো মনত খেলাইছিল যে এজনা কোঁৱৰৰ ভাৰ্য্যাক সাতঘৰীয়া আহোমৰ ঘৰৰ জীয়ৰী এগৰাকীক লৰা ৰজাই ধৰাই নি যে ১৫ দিনলৈকে যন্ত্ৰণা দিয়াই মাৰিছিল এনেটো কথা হব নোৱাৰে। যদি দৰা চলতে তেনেকুৱাটো ঘটনাহে হৈছিল, অৰ্থাৎ সতী জয়মতীক ১৫ দিনকৈ চাওডাঙে প্ৰকাশ্যে জেৰেঙা পথাৰত যন্ত্ৰণা দি মাৰিছিল, আৰু গদাধৰেও নগা বেশেৰেই চাইছিলহি, তেনেহলে গদাধৰ সিংহ প্ৰকৃত বীৰ নাছিল, তেওঁ এজন স্বাৰ্থপৰ, ভীৰু কাপুৰুষ আছিল, আৰু আহোমৰ তিনি জনা ডাঙৰীয়া আৰু সমস্ত আহোম জাতিটোও সেই কালত এক প্ৰকাৰ কাপুৰুষ আছিল। যি তিনি জনা ডাঙ্গনীয়াই (বুঢ়া গোঁহাই, বৰ গোঁহাই, বৰপাত্ৰ গোঁহাই) একে গুপ হৈ ৰজাৰ চৰাত বহি ৰজাকো ভাতিব পাৰিছিল, সেই তিনিজনা ডাঙৰীয়াও সেই সময়ত অপদাৰ্থ আছিল। ১৫ দিনকৈ চাওডাঙে ৰৱগোঁহাইৰ জীয়ৰী ৰাজকোঁৱৰ গদাধৰৰ মহিষী জয়মতীক বিনা দোষত প্ৰকাশ্যে জেৰেঙা পথাৰত শাস্তি দিছিল; অথচ কোনো জনা বুঢ়া আহোম ডাঙৰীয়াই বিশেষকৈ জয়মতীৰ পিতৃ লাইথেপেনা ৰব গোঁহাই দেৱেও নিজৰ জীয়েকৰ ওপৰত ৰবা এই অমাহুষিক অত্যাচাৰ সহি আছিল! যি বীৰ আহোম জাতিয়ে মোগলৰ লগতো বাৰে বাৰে যুঁজ কৰি নিজৰ স্বাধীনতা ৰক্ষা কৰিছিল, সেই আহোম জাতিটো লৰা ৰজাৰ দিনত একেবাৰে এনে কাপুৰুষ হৈ পৰিছিল! কাজে কাজে জয়মতীৰ আখ্যানটোৰ ভিতৰতে এটা কেৰোণ আছে—এনেকুৱা ভাৱ খেলাইছিল। ইমানদিনে জয়মতীৰ প্ৰকৃত ঘটনাটো কি কেৰে জনা নাছিল। সিদিনাথন মাণোন ৺হৰকান্ত মজিন্দাৰ বৰুৱা দেৱ সৰ আমিনৰ "অসম বুৰঞ্জী" খনত আচল কথাটো ছপা হৈ ওলাইছে আৰু এই আখ্যানটোৰ ওপৰত অসম প্ৰদেশৰ প্ৰত্নতত্ত্ববিদ আৰু পুৰণি তথ্য উদ্ঘাটন কৰা সমিতিৰ (Department of Historical and Antiquarian Studies) ডাইৰেক্তৰ শ্ৰীমান সূর্য্যকুমাৰ ভূঞা এম-এ, বি-এল, দেৱে লিখা উক্ত বুৰঞ্জীৰ পাতনিত আছে—

"Kashinath has not uttered a word about the martyred Assamese Princess Jaymati wife of Prince Gadapani, afterwards king Gadadhor Singha. Harkanta's version gives a rational account of the momentous self sacrifice of Jaymati. The current version regarding her death, on which poems and

dramas have been written, is attended with numerous fallacies which could not easily be explained away, viz.—How was it possible on the part of a puppet king like Sulikpha Lara Raja to inflict publicly corporal punishment on the consort of prince Godapani, who was also the daughter of a powerful potentate and minister of the realm, Laithepena Borgohain? As we all know the powers of Ahom sovereigns were constitutionally limited and the upholders of traditional rights of the people could not have tolerated the unchivalrous chastisement of a princess and mother lasting for a fortnight or so, If the king deserves the arraignment of posterity for having commanded such dishonourable punishment, his ministers and noble are no less culpable for having connived at this action of the sovereign. "Ten thousand swords must have leaped from their scabbards to avenge even a look that threatened her with insult". According to Harkanta, the chaudangs, the hereditary executioners and punishers of the Ahom Kings were responsible for having tortured Joymati to death. Torture and execution constituted the daily occupation of the hangmen and there is nothing unusual in a group of chaudangs exceeding the limits of law though the particular victim in that case was a woman coming from one of the highest Ahom families." অৰ্থাৎ ৺কাশীনাথে গদাপাণিৰ (গদাধৰ ৰজাৰ) ভাৰ্য্যা সতী জয়মতীৰ বিষয়ে কোনো এটা কথাকে কোৱা নাই। হৰকান্তৰ আখ্যানে সতী জয়মতীৰ আত্ম বিসৰ্জ্জনৰ এটা যুক্তিপূৰ্ণ বিৱৰণ দিছে। বৰ্ত্তমানে চলি থকা আখ্যানটোত যি আখ্যানৰ ওপৰত নাটক, কবিতা আদি ৰচিত হৈছে, নানা অযুক্তিকৰ কথা আছে যাৰ সামঞ্জস্য একোপধ্যে কৰিব নোৱাৰি। ডাঙৰীয়া সকলৰ হাতৰ পুতলা স্বৰূপ লৰা ৰজাই যে গদাধৰৰ ভাৰ্য্যা, এজনা ডাঙ্গনীয়াৰ, (ৰজাৰ তিনিজনা মন্ত্ৰীৰ এজনা লাইথেপেনা ৰব গোহাইৰ) জীয়ৰী জয়মতীক এইদৰে প্ৰকাশ্যে (জেৰেঙা পথাৰত) চাওডাঙৰ হতুৱাই অমাহুষিক অত্যাচাৰ কৰাই মৰাইছিল এই কথা কেনেকৈ সম্ভৱপৰ হব পাৰে? আমি জানো আহোম ৰজা সকলৰ ক্ষমতা নিয়মতন্ত্ৰৰ তলতীয়া আছিল। এনেস্থলত এজনা ৰাজকুঁৱৰী আৰু সন্তানৰ মাতৃৰ (নাই আৰু লেচাইৰ) ওপৰত এনেকুৱা ১৫ দিন ধৰি প্ৰকাশ্য ঠাইত নিৰ্চুৰ অত্যাচাৰ নিয়মতন্ত্ৰ মানি চলা অসমীয়াই কেতিয়াও সহ্য নকৰিলেহেঁতেন। যদি লৰা ৰজাহে জয়মতীৰ ওপৰত কৰা অত্যাচাৰ আৰু জয়মতী বধৰ বাবে দোষী তেনেহলে এই দোষৰ হাত ডাঙৰীয়া সকলেও (বুঢ়া গোঁহাই, বৰ গোহাই, বৰপাত্ৰ গোঁহাই) এবাৰ নোৱাৰে, কিয়নো তেওঁলোকে দেখি শুনিও নিতাল মাৰি আছিল! জয়মতীৰ দেখা শুনাকৈ ইংৰেজ অপমান জনক দৃষ্টিৰে চোৱা হলেও দহ হেজাৰ অসি সেই মুহূৰ্ত্তেই খাপৰ পৰা ওলাই জয়মতীৰ অপমানৰ প্ৰতিশোধ ললেহেঁতেন। ৺হৰকান্তৰ মতে জয়মতীৰ ওপৰত কৰা অত্যাচাৰৰ বাবে অকল চাওডাঙহঁতহে দোষী আছিল। এই চাওডাঙবিলাকৰ বৃত্তিয়ে আছিল মানুহক যন্ত্ৰণা দিয়া আৰু নিচুৰ ভাৱে বধ কৰা। এজাক চাওডাঙে নিয়মৰ অপনা চেৰাই নিজৰ কৰ্ত্তব্যৰ উপকৰা অমাহুষিক অত্যাচাৰ কৰি নিজানত এজনা ৰাজকুৱঁৰীৰো প্ৰাণ বধ কৰা একো আচৰিত নাছিল।" ৺হৰকান্ত সদৰামিনৰ বুৰঞ্জীৰ ৫৪ পিতিত আছে :—

"গদাপাণিৰ পলায়ন—'এনেতে তুঙ্গখুঙীয়া গোৰৰ ৰাজাৰ পুত্ৰ লাডি গদাপাণি অৰ্থাৎ গদাধৰ কোঁৱৰ নাম খ্যাত প্ৰধান বাহুবলী কাৰণ, তেওঁক বিচাৰ কৰি ধৰিবৰ আজ্ঞা হোৱাত বৰ ভয় পাই পলাই গৈ তেওঁৰ ভাৰ্য্যা

গাভৰু সহিতে অটব্য অৰণ্যত সোমাই আছিল ; তাতে এটি সৰু ঘৰ গছৰ পাতৰে কৰি কাল যাপন কৰি আছিল। গ্ৰাম কি নগৰে বিচাৰি তেওঁক নাপাই ৰাত্ৰিন্দিবা বিচাৰিব ধৰিলে।

একদিন ৰাত্ৰি ৫।৬ দণ্ড সময় ঐ গদাপাণি কোঁৱৰ গাভৰু সহিতে পত্ৰঘৰে বহি আছিল। ইতিমধ্যে গাভৰু পেছাপ কৰিবৰ কাৰণে বাহিৰে অহাত চাৰিওফালে মানুহে বেঢ়ি অহা যেন অনুমান কৰি আপুন পতি কোঁৱৰত কলে। কোঁৱৰে প্ৰথম বিশ্বাস নকৰি এই কলে—"এই অৰণ্যক কোন আহিব আৰু আমি ইয়াত আছোঁ বুলি বা কেনেকৈ জানিব ?" গাভৰুৱে কলে "বুজিব নোৱাৰি, কোনো কছকীয়া অথচ চৰৰ দ্বাৰা জানিব পাৰে, আমি যে ইয়াতে আছো।" এইৰূপে কিয়ৎকাল কথোপকথন হৈ থাকোতেই মানুহৰ গন-গান হেন শুনিলে। পৰে দুইজনে শীঘ্ৰে বাহিৰ ওলাই নিশ্চয় জানিলে যে চাৰিওফালৰ পৰা মানুহে বেঢ়ি আহিছে। পাচে কোঁৱৰে "হয়, আমাকেই ধৰিবৰ কাৰণে আহিছে, আহা দুইজনে পলাওঁ।" গাভৰুৱে বোলে, মঞি সহিতে গলে তুমি ধৰা পৰিবা। এতেকে মই ইয়াতে থাকোঁ। মোৰ যি গতি হয় হব, যদি মই মৰো, কি মোক মাৰে, তুমি আৰু দহজনী স্ত্ৰী বিবাহ কৰিব পাৰিবা। তুমি বিহীন হলে আৰু কত হব ?

এবং প্ৰকাৰে কোৱাতো গদাপাণি কোঁৱৰ সন্মত নহৈ দুইজন সহিতে যাবৰহে মনস্থ আছিল। কিন্তু গাভৰুৱে অগত্যা বধ দি নিজে এৰীয়া কাপৰৰ গাতি মাৰি বেশ ছন্ন কৰি যোৱাগৈ বুলি আগবাঢ়ি পঠাই দি পত্ৰৰ ঘৰৰ ভিতৰত গাভৰু সোমাল। ইতি মধ্যেই ধৰিব অহা লোক সকল চৌতৰফৰ বেৰি আহি ঘৰ সোমাল। কিন্তু কোঁৱৰক নাপালে। গদাপাণি কোঁৱৰ লোকসকলৰ হাতৰ তলে বা কোনোমতেই হওক পাচফাল হল :—লোকসকলে গাভৰুক ধৰি কোঁৱৰৰ কথা সোধাত, "কলৈ গল মই নাজানো" বুলি কোৱাত পাপিষ্ঠ, নিষ্ঠুৰতা ও নিৰ্দ্দয় লোক গাভৰুক ধৰি শাস্তি কৰি বধ কৰিলে।"

হৰকান্ত মজিন্দাৰ বৰুৱা সদৰামিনৰ বুৰঞ্জী মতে জয়মতী বধৰ প্ৰকৃত আখ্যান এইটো। ৰজাই, তিনিজনা ডাঙৰীয়াই আৰু প্ৰজাইও নৌ জানিবলৈ পাওঁতেই নিশাৰ ভিতৰতে চাওডাঙহঁতে জয়মতী গাভৰুক গিৰিয়েকৰ বাতৰি নোকোৱাত যন্ত্ৰণা দি বধ কৰিলে। প্ৰকৃত ঘটনা এইটোহে। এই মতেহে সকলো কথাৰে সামঞ্জস্য হয়। লৰা ৰজাৰ ওপৰত, ডাঙৰীয়া তিনিজনাৰ ওপৰত, অসমীয়া ৰাইজৰ ওপৰত অকল চাওডাঙত বাজে বীৰ আহোম জাতিটোৰ ওপৰতো কোনো কলঙ্কে নস্পৰ্শে আনকি গদাধৰ সিংহৰ ওপৰতো কাপুৰুষতা দোষ নোপজে। জয়মতীৰো স্বামীৰ নিমিত্তে, ৰাজ্যৰ মঙ্গলৰ অৰ্থে চাওডাঙৰ হাতত সাহসেৰে প্ৰাণত্যাগ কৰা অতুলনীয় বীৰত্ব আৰু সতীত্ব কীৰ্ত্তিৰো এফেৰাও লাঘৱ নহয়। ভাল আৰ্টিষ্টৰ হাতত পৰি এইটো কাহিনীয়েই সোণৰ আখৰেৰে বুৰঞ্জীৰ প্ৰকৃত ঘটনা ৰক্ষা কৰিও, আৰ্টৰ সৌন্দৰ্য্য দেখুৱাই জয়মতী চৰিত্ৰৰ উজ্জ্বলতা দেখুৱাব পাৰে। কিন্তু দুখৰ বিষয় দেখিছোঁ অসমৰ অনেক স্থানত স্বদেশ প্ৰেমৰ গুৰিত সত্যৰ বিকৃতি ঘটে।

হৰকান্ত সদৰামিনৰ বুৰঞ্জী ছপা হোৱাৰ পিছত জয়মতী উপাখ্যান লৈ কাগজে পত্ৰে এফেৰা লিখা-লিখি হৈছিল; কিন্তু আমাৰ শ্ৰদ্ধাস্পদ ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোঁহাই বৰুৱাই এটি সভাত বক্তৃতা দি কলে :—"যেয়ে যিহকে কওক জয়মতী আখ্যানটো বৰ্ত্তমানে স্থাপিত হৈ গৈছে (অৰ্থাৎ জেৰেঙা পথাৰত ১৫ দিনীয়াকৈ চাওডাঙে ৰজাৰ আদেশত বিনা দোষে কৰা নিষ্ঠুৰতাটো ?) তাক আৰু এতিয়া লৰচৰ কৰিবৰ প্ৰয়োজন নাই। অসমীয়া ৰাইজে নিজে ভাৱি-চিন্তি নাচাই সেই কথাকে মানি নিতাল মাৰি, বহি আছে। কিন্তু গোঁহাই বৰুৱাৰ নিচিনা এজন ভাবুক প্ৰাচীন সাহিত্যিকে এইফেৰা গমি চাব লাগিছিল যে বৰ্ত্তমান চলতি আখ্যানমতে আহোম ভাতৃসকলৰ ওপৰত, তিনিজনা ডাঙৰীয়াৰ ওপৰত, এফেৰা কলঙ্ক ভালকৈয়ে পৰে। ইংলণ্ডত লেডি জেন গ্ৰেয়ে ৰাজসিংহাসন অন্যায়কৈ লোৱা বাবে ৰাজপাটৰ প্ৰকৃত গৰাকী ইলিজাবেথে (মেৰিয়ে ?) বধ কৰাইছিল। কিন্তু জয়মতী কুঁৱৰীয়েতো লৰা ৰজাৰ সিংহাসন লোৱা নাছিল। গিৰিয়েকক পলাই যাবলৈ কোৱাত গিৰিয়েক পলাইছিল।

গিৰিয়েক কলৈ গৈছে তেওঁ কেনেকৈ কব এইটো সত্য উত্তৰহে দিছিল—এই এফেৰা কথাৰ ওপৰতে লৰা ৰজাই অত্যাচাৰ কৰোৱাই প্ৰাণে মৰালে, অথচ আন কি জয়মতীৰ পিতৃ লাইথেপেনা গোঁহায়েও মাত একাষাৰকে নামাতিলে ! তেনেহলে বিদেশী critic এ বা সমালোচকে যি নিঃস্বাৰ্থ ভাবে ভাৱি চাব পাৰে, কি কব ? আহোম সকলক এটা অতি বৰ্ব্বৰ জাতি নুবুলিবনে ? গদাধৰ ৰজাক এজন স্বাৰ্থপৰ কাপুৰুষ নুবুলিবনে ? সত্য সদায় সত্য। সত্যৰ জয় হবই। অতিৰঞ্জিত ঘটনা, অস্বাভাৱিক কাহিনীৰ এই তথ্য সমালোচনাৰ কালত, ঠেং সদায় ছুটী। অসমীয়াই স্বদেশ প্ৰেমৰ খাতিৰত অসত্যক, সত্য বুলি ললেও বিদেশী স্বাৰ্থশূন্য লোকৰ আগত এই আখ্যান কেনেবা কেনেবা লাগিব। ই ধ্ৰুব সত্য।

জয়মতী ফিল্মত শ্ৰীমান জ্যোতি প্ৰসাদ আগৰৱালাই এই চলন্তি কিম্বদন্তিৰ ওপৰতে ফিল্মখন তৈয়াৰ কৰাৰ বাবেহে মোৰ বোধেৰে, ভাল কৰিব নোৱাৰিলে ঘটনাৰ সমাবেশত দোষ হল। জয়মতীৰ এক্টিং হৃদয়গ্ৰাহী নহল। নগা বেশেৰে গদাধৰক জয়মতীৰ ওচৰলৈ এবাৰো নানি শ্ৰীমানে গদাধৰক এফেৰা কাপুৰুষতাৰ পৰা স্বাৰ্থ পৰতাৰ পৰা ৰক্ষা কৰিছে, কিন্তু জয়মতীক চলন্তি আখ্যান মতে ৰজাৰ সন্মুখলৈ দোলাৰে আনিও শেহত চাওডাঙৰ হতুৱাই জেৰেঙা পথাৰলৈ নিয়াই যন্ত্ৰণা দি মৰোৱা কামটো কেনেবা ২ লাগে। তাৰ উপৰিও ইফালে জয়মতীৰ ওপৰত অত্যাচাৰ সিফালে গদাপাণিক ডালিমী নাগিনীয়ে সৈতে প্ৰেম কৰা কথাটোতো ভাল নালাগে। শ্ৰীমান জ্যোতি বোপাই হৰকান্ত সদৰ আমিনে লিখা আখ্যান মতে যদি ফিল্মখন তৈয়াৰ কৰিলেহেঁতেন, তেনেহলে জয়মতী ফিল্ম অতি উৎকৃষ্ট হ'লহেতেন। ফিল্মত শব্দৰ আৰু পোহৰৰ যি দোষ ঘটিছে সেইটো শ্ৰীমান আগৰৱালা বোপাই আগেই অসমীয়া ৰাইজক জনাই থৈছে। সেই বাবে তেওঁক দুষিব নোৱাৰি। আখ্যান ভাগ, শব্দ আৰু পোহৰৰ দোষ বাদ দিলে, আন পক্ষে আৰ্ট হিচাপে, দৃশ্যাৱলীৰ হিচাপে, নদী, সাগৰ, পৰ্ব্বত ইত্যাদিৰ দৃশ্য, অসমীয়া গীত, পদ, ৰাগ নৃত্য, পুৰণি অসমৰ সমাজ চিত্ৰাদি বিষয়ত জয়মতী ফিল্ম অতি উপাদেয় হৈছে। তেজপুৰৰ এই আগৰৱালা বংশৰ ওচৰত অসমীয়া ৰাইজ ঋণী। যেনেকৈ অসমত প্ৰথমে কীৰ্ত্তন, নামঘোষা ছপাই অসমীয়াৰ ঘৰে ঘৰে মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মক প্ৰচাৰ কৰাৰ বাবে ৺হৰিবিলাস আগৰৱালা দেৱৰ ওচৰত ঋণী, আৰু এখন তিনদিনীয়া, আৰু সাদিনীয়া বাতৰি কাকত আৰু বাঁহীৰ নিচিনা ওখ খাপৰ এখন মাহেকীয়া কাকত ইমান বছৰে জীয়াই ৰাখি অসমীয়া ভাষাটোক বৰ্ত্তমান টনকিয়াল গঢ়লৈ অনা বাবে উক্ত ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ মাজিউ পুত্ৰ মোৰ সহপাঠী বন্ধু শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ ওচৰত অসমীয়া ৰাইজ ঋণী। এতিয়া সেই দৰে ৺হৰিবিলাস আগৰৱালাৰ নাতি, মোৰ বন্ধু ৺পৰমানন্দ আগৰৱালাৰ পুত্ৰ শ্ৰীমান জ্যোতি প্ৰসাদ আগৰৱালাৰ ওচৰতো, অজস্ৰ টকাসিকা খৰচ কৰি এই প্ৰথম অসমীয়া কথা-ছবি উলিৱা বাবে, অসমীয়া ৰাইজ ধৰুৱা। ঈশ্বৰে শ্ৰীমান জ্যোতি আগৰৱালা দেৱক দীৰ্ঘায়ু কৰক আৰু অসমীয়াৰ জাতীয় সম্পদ বঢ়াবলৈ শক্তি দিয়ক। মোৰ এই লিখাৰ উদ্দেশ্য যে, যদি পাৰে, আৰু হিন্দী সংস্কৰণ এটা কৰে তেনেহলে তাত যেন জয়মতীক ৰজাৰ ওচৰলৈ দোলাৰে নিয়া দৃশ্যটো উঠাই দিয়ে লগে লগে গোসাই ঘৰৰ পৰা নিয়া দৃশ্যটোও যেন বাদ দিয়ে। তেনেহলেই মোৰ বোধেৰে ৺হৰকান্ত বৰুৱাৰ আখ্যান টোৰ মতে সকলো কথাৰ সামঞ্জস্য থাকিব কিয়নো ফিল্মৰ পৰা বুজা নাযাব, চাওডাঙৰ অত্যাচাৰ এনিশাতে হৈছিল নে ১৫ দিন ধৰি হৈছিল।

———

কৃষ্ণকুমাৰী

[বুৰঞ্জীমূলক পঞ্চাঙ্ক নাটক]

—শ্ৰীযুত প্ৰভাত চন্দ্ৰ অধিকাৰী

চৰিত্ৰ

[পুৰুষ]

ভীমসিংহ	উদয়পুৰৰ ৰাণা
শিৱদাস	ঐ মন্ত্ৰী
সতীদাস	ঐ সেনাপতি
অজিতসিংহ	চন্দাৱৎ চৰ্দ্দাৰ
যুৱনদাস	ৰাণাৰ ভায়েক
জগতসিংহ	জয়পুৰৰ ৰজা
ঠিকুজী	ঐ সহচৰ
অৰিজিৎ	ঐ সেনাপতি
মানসিংহ	মৰুৰাজ
আমীৰ খাঁ	ঐ সহকাৰী পাঠান

সদাশিৱ ৰাও	সিন্ধিয়াৰ অনুচৰ
লখাই, ৰাতিয়া	বাটৰুৱা

গুপ্তচৰ, দূত, সৈন্যগণ

তিৰোতা

উদয়পুৰৰ ৰাণী	ভীম সিংহৰ স্ত্ৰী
কৃষ্ণা	ঐ কন্যা
লীলাবাঈ	কৃষ্ণাৰ সখী
মনিবাঈ	জগতসিংহৰ ৰক্ষিতা

লিগিৰী, নাচনীহঁত

প্ৰস্তাৱনা

(নাচনীহঁতৰ গান ।)

নৃত্য-দোলন মৃদু ছন্দ,
গগনে পৱনে মধু-গন্ধ ।
জোনালি কিৰণে ঢালে
মাধুৰী ধাৰা,
সুৰৰ লহৰী প্ৰাণ
আকুল কৰা,
ইকি পুলক কঁপনি ঘনে
সুখ অনন্ত ।
লাজৰ গোলাপ কলি
ফুলি উঠে দুগালত
ওঠৰ কঁপনি সখি !
মাৰ যায় অধৰত,
আঁখিৰ বিজুলী ৰেখা
চকু কৰে অন্ধ,
হিয়াৰ তাঁৰত বাজে
কি নবীন দন্দ,
মধুময়, সুখময়, সুকোমল ছন্দ ।
(পট উঠে ।)

প্ৰথম অঙ্ক

১ম দৃশ্য

—উদয়পুৰৰ ৰাজ-সভা—

[ৰাণা ভীমসিংহ সিংহাসনত বহি আছে । শিৱদাস আৰু দুৱৰী থিয় দি আছে । সভা গৃহ সুসজ্জিত]

ভীম—এয়েই সংসাৰ ; দুৰ্ব্বলৰ ওপৰত বলৱানৰ উৎপীড়ন, ন্যায়ৰ ওৰণি তলত অন্যায়, উপকাৰৰ প্ৰতিদান অপকাৰ, বিচাৰৰ নামে অবিচাৰ, ধৰ্ম্মৰ নামে অধৰ্ম্ম—এয়েই সংসাৰ । প্ৰবঞ্চনা, নিৰ্য্যাতন, লুট, পৰস্বাপহৰণ ইবোৰ যেন মানুহৰ পৰম আকাঙ্খিত, পৰম অভিলষিত । য'ক, মন্ত্ৰী ! মহামাৰীৰ বজ্ৰনাদ, দাৰিদ্ৰ্যৰ নিপীড়ন, হত্যাৰ ৰক্ত-ৰঙা হোলি খেলা, নিৰীহ প্ৰজাসকলৰ মাজৰ পৰা দূৰ কৰিবলৈ কোনো উপায় নাই নে ? ৰাজভক্ত প্ৰজাবৰ্গক ৰক্ষা কৰিবলৈ সঁচাকৈয়ে কোনো বাট নাইনে ?

শিৱ—ৰাণা ! কালৰ চক্ৰ স্থিৰ নহয় । কালিৰ খৰপ্ৰৱাহিনী নৈ আজি মনোৰম বননিত ৰূপান্তৰিত, সিদিনাৰ শস্য-শ্যামল ক্ষেত্ৰ আজি তৰঙ্গ ভীষণ জলৰাশিৰে পৰিপূৰ্ণ । কত পৰ্ব্বত কালৰ কুটিলতাত গুৰিহৈ বুলি মাটি হ'ল, কত সমতল ক্ৰমে অলঙ্ঘ্য পৰ্ব্বতত পৰিণত হ'ল । দুৰ্ব্বোধ মানৱ, বিধাতাৰ ই বিধান বুজিবৰ ক্ষমতা তাৰ নাই ।

ভীম—বুজিছো মন্ত্ৰী ! উপায় বিচাৰি নাপাই বিধাতাৰ বিধানৰ বিচাৰ কৰিছা,—বেছ । কিন্তু ই যে মোৰ ভুল ; মই পাহৰিলোঁ যে মোৰ দৰে অযোগ্য ৰজাৰ মন্ত্ৰী তোমাৰ নিচিনাই হয় !—বিধাতাৰ কি অপৰাধ মন্ত্ৰী ? কাল-চক্ৰৰ কি দোষ ?

শিৱ—মহাৰাণা ! দূৰ অতীতলৈ দৃষ্টি কৰ'ক—
কি দেখিছে ?
দেখিছেনে ৰতন মণ্ডিত এটি ৰভাৰ তলত
জক্‌মক্ সিংহাসনোপৰি
অগণন ৰাজ-ৰাজেশ্বৰ

বহি আছে শাৰি শাৰি ।
ধৰি দিব্য ৰূপ ?
দেখিছেনে—
সুখ, শান্তি, যশ, গৌৰৱৰ
সোণোৱালি জ্যোতি ৰেখা
সি সবৰ মুকুটে মুকুটে ?
দেখিছেনে—
অতীতৰ বীৰত্ব-কাহিনী
সি সবৰ ললাটত
লিখা আছে সোণালি বৰ্ণেৰে ?

ভীম—লাজ নিদিবা মন্ত্ৰী ! কীৰ্ত্তিমান পিতৃ পুৰুষসকলৰ লগত তুলনা কৰি মোক লাজ নিদিবা । ধন হীন, শৌৰ্য্য-বীৰ্য্যহীন ভীমসিংহৰ প্ৰবল প্ৰতাপান্বিত পূৰ্ব্ব পুৰুষসকলৰ লগত ৰিজনি নচলে, চলিব নোৱাৰে ।

শিৱ—ক্ষমা কৰিব ৰাণা ! মই আপোনাক লাজ দিবলৈ তেনে কথা কোৱা নাই—

[মুক্ত তৰোৱাল হাততলৈ ৰণোন্মুখ অজিতসিংহ আৰু সদাশিৱ ৰাওৰ প্ৰৱেশ]

ভীম—ক্ষান্ত হোৱা যোদ্ধৃদ্বয় ! ইকি ! কোন তুমি ? অজিত—

অজিত—ৰাণা ! ঘৰে ঘৰে মৰ্ম্মভেদী কৰুণ হাহাকাৰ, গাৱেঁ গাৱেঁ লুটৰ বিভীষিকা, নগৰে নগৰে অগ্নিৰ তাণ্ডৱ নৰ্ত্তন—ইবোৰ কাম কাৰ মহাৰাণা ? এই শ্মশান-যজ্ঞৰ পিশাচ-পুৰোহিত কোন ?—দস্যু সিন্ধিয়া আৰু তাৰ যোগ্য অনুচৰ এই সদাশিৱৰাও ।

ভীম—সদাশিৱ ! তোমাৰ আগমনৰ উদ্দেশ্য যিয়েই হওক, উদয়পুৰৰ ৰাজ সিংহাসনৰ আগত সিন্ধিয়া মাধৱজীৰ অনুচৰৰ এনে গৰ্হিত আচৰণ কেৱল অপ্ৰত্যাশিত নহয়, উদ্ধতও । আৰু অজিত ! দূতৰ প্ৰতি ৰাজপুত যোদ্ধাৰ এয়েইনে যোগ্য আচৰণ ? অকল সেয়ে নহয়, তুমি ৰাজসিংহাসনৰো অৱমাননা কৰিছা ; সাৱধান !—তোমাৰ আগমনৰ উদ্দেশ্য কি সদাশিৱ ?

সদা—উদ্দেশ্য এই পত্ৰতেই ব্যক্ত আছে ৰাণা ! (পত্ৰ দিয়ে) আপোনাৰ অভিমত জানিব পাৰিলে মই বিদায় লব পাৰো ।

ভীম—(পত্ৰ পাঠ) সদাশিৱ ! তুমি এতিয়া বিশ্ৰাম কৰা গৈ । দুৱৰী ! এওঁক জিৰণি ঘৰলৈ লৈ যোৱা ।

(সদাশিৱ আৰু দুৱৰীৰ প্ৰস্থান ।)

ভীম—মন্ত্ৰী ! পঢ়ি চোৱা (পত্ৰ দিব খোজে ।)

শিৱ—কোনো দৰকাৰ নাই ৰাণা ! পত্ৰ নপঢ়িলেও তাৰ উদ্দেশ্য অনুমান কৰা টান নহয় ।

ভীম—উহ ! কি ভয়ানক ! ষোল লাখ !—হয় ষোল লক্ষ টকা—নহয় ৰণ ! মন্ত্ৰী ! বাট বাছি লোৱা ; ষোল লক্ষ টকা নাইবা ঘোৰ যুদ্ধ । মাধৱজী ! ছমাহ আগেয়ে তোৰ বিশ্বগ্ৰাসী অৰ্থ-বুভুক্ষা পলুৱাবলৈ চল্লিশ লাখ দিছোঁ ; আজি আকৌ ষোল লাখ ! কি ঘোৰ অন্যায়, কি ভীষণ অৰ্থলোভ ! সিন্ধিয়া মাধৱজী ! আৰু নহয়—জীৱন থাকে মানে এটি কড়িও নহয় । কিন্তু—

শিৱ—কিন্তু কি মহাৰাণা ? মাধৱজী ক্ষুদ্ৰ মাৰ্হাট্টা দস্যু মাথোন—

৫২৮০/অ:

ভীম—কিন্তু অতি প্ৰবল, বৰ দুৰ্দ্ধৰ্ষ ।

অজিত—ৰাজপুত যোদ্ধা কি এজন দস্যুতকৈও হীনবল মহাৰাণা ?

ভীম—অজিত সিংহ ! ধীৰভাৱে চিন্তা কৰা, অস্থিৰ নহবা ।—সঁচা কথা, ৰাজপুত, যুদ্ধত নিৰ্ভীক, বীৰত্বত অপৰাজেয় ; আৰু সঁচা যে ৰাজপুতৰ ৰণ-নৈপুণ্য অতি বিচিত্ৰ । কিন্তু সিন্ধিয়া দস্যু ; দস্যুবৃত্তিই তাৰ কাৰবাৰ । সি যুদ্ধ নকৰে, কৰে যুদ্ধৰ নামে ডকাইতি—প্ৰজাৰ যথা সৰ্ব্বস্ব লুট কৰি কাঢ়ি নিয়ে—গুপ্তভাৱে । এই তাৰ ৰণনীতি এই তাৰ ৰণ, এই তাৰ ৰণৰ কৌশল । ৰাজপুতৰ ই কৌশল জনা নাই । কিন্তু—কিন্তু কি কৰা যায় ; ৰাজকোষত এনে অৰ্থ নাই যে এই দস্যুৰ লগত এবাৰ ৰণ কৰো । অত্যাচাৰ, উৎপীড়ন, দুৰ্ভিক্ষ, মহামাৰী, লুট—ইহঁতে কৰাল জিবাৰে প্ৰজাৰ শৰীৰৰ ৰক্ত ভাগ শেষ বিন্দুলৈকে চুহি খাইছে । কি বাকী ৰাখিছে ? প্ৰতি শিৰত যাৰ তেজৰ সলনি পানীৰ সোঁত বৈ যায় সি তো মৰা মানুহ, নিৰ্জীৱ, নিস্পন্দ । যাওক সি কথা, কিন্তু, কি কৰা যায় ? ৰণ ? অসম্ভৱ । ধন ? ৰাজকোষ শূন্য । (চিন্তিতভাৱে) এটি উপায় আছে—ঠিক্ ।—মন্ত্ৰী ! উপায় পাইছো । ৰাণী, ৰাজকুঁৱৰী, শিশু

রাজপুত্র—ইহঁতর বহুমূল্য রাজ-পাৱ মহামূল্য অলঙ্কাৱৰ সলনি কি বোল লাখ টকা পোৱা নাযাব ?—নিশ্চয় যাব। ব'লা মন্ত্রী, পলম কৰি লাভ নাই। কিন্তু মাধৱজী ! সাৱধান ! এই শেষ বাৱ ;—এই শেষবাৱ বুকুৱ তেজেৰে তোৱ ৰাক্ষসী ক্ষুধাৱ আহাৱ যোগাম। ইয়াৱ পিছত আক নহয়।

(সকলোৱে প্ৰস্থান)

[পট উটে]

২য় দৃশ্য

জয়পুৱ

(জগত সিংহৱ বিলাস-ভৱন)

[জগতসিংহ, মনিবাঈ, ঠিকুজী। জগতসিংহ মদপি বহি আছে। কক্ষ সুগন্ধী ফুল, ফুলমালা আৰু বিচিত্ৰ আলোকমালাৰে ধুনীয়াকৈ সজোৱা। জগত সিংহৱ বাওঁফালে এখন আসনত মনিবাঈ বহিছে। নাচনীইতৱ প্ৰৱেশ আৰু গান]

(নাচনী ইতৱ গান)

কহু জুন, কহু জুন,
কহু জুহু বাজে,
ভ্ৰমালত বোলালে
গোলাপী লাজে।
সপোনৰ কোঁৱৰে
ছখনি ওঁঠৰে
ভৱালে বুকু-মুখ
চুমাৱে, চুমাৱে ;
পিয়লা ভৰি
সখি, ফুল-কুঁৱৰী,
স্বৰগ মদিৱা
ঢালা ধীৰেৰে।
জোনালিৰ অপৰূপ
ৰূপালি কিৰণে
ছিটালে কিনো বঙ
আকাশে পবনে ;
হিয়া উজাৰি
সখি, সুৱাগী পৰী,
বিলোৱা অনুৱাগ
নিৱলে, নিজানে।

ঠিকু—কেয়াবাৎ বিবিজান ! আউৰ একঠো—

জগত—ঠিকুজী চাহেৰ !

ঠিকু—জী, হুজুৰ !

জগত—চালাও বন্ধু ! চিৰাজি চালাও।

ঠিকু—(মদ্যৰ বোতল চাই) উৱা গিয়া হুজুৰ !

জগত—এই, কোন হ্যায়—

ঠিকু—কোন হ্যায়,—ইধাৱ আও, (লগুৱাৰ প্ৰৱেশ) জল্‌দি আও।

জগত—চবাৱ লে আও—ছবোতল। আউৰ বিবি-লোগকো লে যাও।

(নাচনীইতক লৈ লগুৱাৰ প্ৰস্থান)

ঠিকু—হুঁ লে আও—দশ বোতল। যাও বিবিলোগ—

জগত—সুন্দৰি ! আজিৰ আমোদৰ বাৱে এই হীৰাৰ আঙুঠিটো গ্ৰহণ কৰা (আঙুঠি দান)

মনি—ৰাজ আজ্ঞা শিৰোধার্য্য কৰিলো। (আঙুঠি গ্ৰহণ)

ঠিকু—ৰাজ-বন্ধুৰ আজ্ঞা একা ? (মদিৰা উদ্গাৰ এৰে মনিবাঈক দিয়ে, মনিবাঈয়ে দুবৰৈ নিক্ষেপ কৰে)

জগত—বেচ, বন্ধু, বেচ। তুমি বহুত নিজৰা।

ঠিকু—মহাৰাজ অনুগ্ৰহৰ অনন্ত সঁচুৱা। (স্বগত) পেটৰ ভোক্ দেউতাইত, কি কৰিম ? বিধম অন্নদায় ; পেটৰ ভোকত গাত গোঁসাই নাই। ঘৰত যি জনীয়ে আছে, তাইৰ লেজত পোনে পাচ গণ্ডা। উঃ বেটী ইমান ঘনাই জগাব পাৰে ! বহুৰি একোটা, বহুৰি একোটা। ধন, বিদ্যা ঘাটৰ নোৱাবিলো। ডেকা কালত এইজনীৰ নিচিনা এজনীক পাকত পৰি, দেউতাইত, নষ্টঘট হলো। এতিয়া দেখিছেই নহয়, এই নহলে বঙাৰ শাৰীত এজনী বেশ্যা বহি থকা দেখিবলৈ বৈ থাকে কোন চালা !

[ছবোতল মদ লৈ লগুৱাৰ প্ৰৱেশ। ঠিকুজীয়ে মদ ঢালে আৰু জগতসিংহক দিয়ে। লগুৱাৰ প্ৰস্থান]

জগত—বন্ধু ! নিমাত হলা দেখোন ?

ঠিকু—মহাৰাজ ! এটি কথা পাঙিছো। আদেশ দিয়ে নিবেদন কৰিব পাৱো ; কিন্তু—

জগত—'কিন্তু' কিহৰ ?—ওঁ, বুজিছো। পিয়াৰী, তুমি এতিয়া যোৱা গৈ।

মনি—কিয় মহাৰাজ ? মই ইমান অবিশ্বাসিনী হলোনে ? বুজিছো, মোৰ কপাল ভাঙিছে। মহাৰাজ ! মোক বিদায় দিয়ক, মই চিৰদিনলৈ আঁতৰি যাওঁ।

জগত—কি মুম্বিলত পৰিলো। অভিমান এৰা মনিবাঈ, প্ৰিয়ে। তোমাক অবিশ্বাস কৰা নাই। বিধায় দিব লাগে কেলেই ? তুমি মোৰ—মই তোমাৰ। দুখ নকৰিবা। বন্ধু ! মনিবাঈ থাকিব নোৱাৱে নে ?

ঠিকু—মহাৰাজ ! হৰঁতে কথাখিনি এই কিবা বোলেনে—ৰব ওপৰত আৰ কি—

জগত—পিয়াৰী, তুমি যোৱা। মই এতিয়াই তোমাৰ কুঞ্জ গাম গৈ।

মনি—ৰাক তেন্তে যাওঁ। (প্ৰস্থান)

ঠিকু—(স্বগত) যা বেটী, শাওবা গছৰ ভুতুনী। বাটতে উছুট খাই পৰি মৰগৈ যাঃ। হে গোঁসাই (আঙুলি ভাঙে) বেটীয়ে ৰাজাপাটৰ যুগীয়া পাট্টা কৰি ললে যেনিবা !

জগত—ঠিকুজী ! কি কথা, কোৱা পলম নকৰিবা।

ঠিকু—চুকুত কল নপকে মহাৰাজ ! লাহে লাহে। পাচে কথা বোলতে কিবা বোলেনে—মহাৰাজ, এই উদয়পুৱৰ ৰাণাৰ হেনো কৃষ্ণা নামেৰে এজনী দিপলিপ গাভৰু ছোৱালী আছে। কিন্তু ৰাণাই হেনো—কিবা বোলেনে দৰা এটাকে বিচাৰি পোৱা নাই। পিচে মই কওঁ কিটো, আমাৰ মহাৰাজে এবাৰ মন মেলিলে নহয় নে ৰাক ? ছোৱালীজনী হেনো বৰ ধুনীয়া আৰু—আৰু কপসী।

জগত—ৰাক কথাষাৰ সঁচানে ?

ঠিকু। ইচ দেউতা ইচৰ ! বন্দীয়ে নো মহাৰাজক মিছা কথাষাৰ কবলৈ সাহ পায়নে ?

জগত—বেচ কথা, কিন্তু মনিবাঈ ?

ঠিকু। এতিয়াহে মৰিলো। দেউতা, মনিবাঈ হলগৈ কিবা বোলেনে—এঃ, কৈছেই পেলালো নে কি ? কিবা বোলেনে—মহাৰাজে অভয় দিলেহে কব পাৱো।

জগত—কোৱা বন্ধু। একো ভয় নাই।

ঠিকু—তেন্তে কওঁ দেউতা ! ৰায় নধৰিব, মোৰেই শপথ। মনিবাঈ হলগৈ আপোনাৰ—কিবা বোলেনে—বেশ্যা। বেশ্যাত সঁজাত নাই মহাৰাজ ! তেওঁ তাইক মহাৰাজে এৰিব নোখোজে, ৰাখিব। সেইবুলি বিষতা তিবোতা এজনী লাগে নহয়। তাতে আকৌ ছোৱালীজনী ন-গাভৰু, দিপলিপ ধুনীয়া। বিষাথন হলে উদয়পুৱৰ মহাৰাণা মিতিৰো হব।

জগত। কথাষাৰ পোনতে বেয়া নহয় যেন লাগে। মনিবাঈ আছে—থাওক। বাক্, তুমি উদয়পুৱলৈ যোৱা, পাৰিবা জানো ?

ঠিকু—কেলেই নো নোৱাৰিম ? মহাৰাজে হুকুম দিলে বন্দীয়ে জুইত জাপ দিবলৈকো নোৱাবা নহয়।

জগত—চলা, এতিয়া যাও (প্ৰস্থান)।

ঠিকু। আপুনি আগবাঢ়ক, মই এতিয়াই গৈছোঁ। উঃ, কটা বেশ্যা এজনীয়ে ৰজাৰ লগত বহে ; ইমান খিতাপ ! বাপেকে তোৰ বিহ দাঁতকিটা ভাঙিম, ভাঙিম, ভাঙিম—তেহে এৰিম। (প্ৰস্থান)

৩য়দৃশ্য

উদয়পুৱৰ ৰাজ অন্তঃপুৱ।

ৰাণী।

ৰাণী। কতনা সুখৰ ছবি
কল্পনাৰ মোহন তুলিৰে
আঁকিছিলো জীৱনৰ ভৱদিপৰত
অকলে অকলে বহি আপোন মনেৰে,
কতনা আশাৰ বাণী গোপনে গোপনে
শুনিছিলো কাণ পাতি নিজানত বহি,
নাচিছিলো আনন্দত মতলীয়া হই,
কতনা বীণাৰ ধ্বনি ললিত ছন্দেৰে
হিয়াৰ তন্ত্ৰীত বাজি
বিধি জিনি তুলিছিল গান,
সি গানৰ ধ্বনি শুনি
নাচিছিল নিলাজ পৰাণ।

কিন্তু,
ক'ত আজি,
ক'ত আজি সি সুখৰ ছবি,
আশাৰ বাণীটি ক'ত
বীণাৰ ঝঙ্কাৰ
কেনি গ'ল বতাহত উৰি ?
মিছাৰ সংসাৰ,
মিছাৰে ৰচিত এই বিচিত্ৰ ভুবন
মায়াময় প্ৰহেলিকা মাথোঁ,
সাৰ নাই—অসাৰ পলস্।

(ভীমসিংহৰ প্ৰৱেশ)

আহা নাথ ! কিবা পুণ্যৰ ফলত অভাগিনীয়ে আজি বহুদিনৰ মূৰত তোমাৰ চৰণ দেখিবলৈ পালো।

ভীম—তোমাৰ দুখ বুজিছো ৰাণী, কিন্তু কি কৰিম ! ৰাজ-কাৰ্য্য নিৰ্ম্মম, কঠুৱা। দুখ, শোক, জৰা ব্যাধি এনেকি মৃত্যুৰ শাসনকো সি হেলাৰঙে দুভৰিৰে গচকি দলি-পিহি চলি যায়। এবাৰ ঘূৰি চাবলৈকো তাৰ আজৰি নাই। খেদ নকৰিবা ৰাণী !

ৰাণী—খেদ নকৰো নাথ ! ৰাজকাৰ্য্য ৰজাৰ কৰ্ত্তব্য ; নাৰী তাত বাধা নিদিয়ে প্ৰভো ! তাৰ বাবে দুখো নকৰো। কিন্তু অন্তৰত বৰ অশান্তি। অশান্তিৰ তীব্ৰ জ্বালা অকলে স'ব পাৰো এনে শক্তি মোৰ নাই যে প্ৰভো !

ভীম—কি অশান্তি ৰাণী ! মোক কোৱা। জানো, মই তোমাৰ অযোগ্য স্বামী ; তথাপি তোমাৰ অশান্তিৰ কাৰণ দূৰ কৰিবলৈ মই প্ৰাণপণে চেষ্টা কৰিম ; কোৱা।

ৰাণী—মোক অপৰাধিনী নকৰিবা প্ৰভো ! মই যে তোমাৰ পদ নখৰো যোগ্য নহওঁ—ভৰিৰ ধূলিৰো যোগ্য নহওঁ। অশান্তি ! স্বামী ! সহস্ৰ ৰাজকাৰ্য্যৰ মাজত তোমাৰ দিন নিৰ্ব্বিঘ্নে চলি যায়, কিন্তু মইযে আৰু কৃষ্ণাৰ মুখলৈ চাব নোৱাৰা হলো। কৃষ্ণাক বিয়া দিয়া প্ৰভু। কৃষ্ণা অকল মোৰেই ছোৱালী নহয়—তোমাৰো।

ভীম—হুঁ !
বিপদৰ চাকনৈয়া বাহিৰে ভিতৰে।
বাহিৰত মাৰ্হাট্টা মাধৱ
ভাগ্য গগণত মোৰ ঘোৰ ধূমকেতু
ধ্বংসৰ মূৰতি
ধৰি প্ৰলয় নাচেৰে
সঘনে কঁপাই তোলে ৰাজ সিংহাসন
ভিতৰত—ক'ত শান্তি ?
বিবাহৰ যোগ্যা কন্যা
ৰাণী ক্ষুণ্ণ মনা,
অহৰ্নিশি চিন্তা জুইয়ে দহিছে অন্তৰ,
বিতত কৰিছে হিয়া অগণি বৰষি ;
'চিতা চিন্তা দুয়োৰ্মধ্যে চিন্তানামা গৰীয়সী'।
—ৰাণী !
ধৈৰ্য্য ধৰা প্ৰিয়ে
যথা সময়ত কৃষ্ণা হব বিবাহিতা।

ৰাণী—যথা সময়ত ?
সময় কি হোৱা নাই দেৱ !
ষোড়শ বছৰ শীঘ্ৰে উকলিব কৃষ্ণকুমাৰীৰ।
এতিয়াৰ কৃষ্ণা নোহে আজলী ছোৱালী ;
যৌৱনৰ ৰূপ ৰাশি,
লাৱনিৰ বিপুল জোঁৱাৰ
উপচি পৰিছে তাইৰ অঙ্গে প্ৰতি অঙ্গে।

ভীম—শুনা ৰাণী !
হ'ক কৃষ্ণা ষোড়শী গাভৰু,
বিবাহৰ যোগ্য হ'ক তনয়া তোমাৰ,
শ্মশান সদৃশ ৰাজ্য
যতদিন সঞ্জীৱিত নহব প্ৰেয়সী !
ৰাজ-কোষ নহব পূৰণ,
বিবাহৰ অভিলাষ কন্যাৰ তোমাৰ
ততদিন অন্তৰৰ নিভৃত চুকত
ৰাখি থোৱা মনে মনে অতি সঙ্গোপনে
নতু পাবা ক্লেশ দুৰ্ণিবাৰ ,
আপোনাৰ অমঙ্গল

ওচৰ চপাই ৰাণী,
কিয় লোৱা আপোনা আপুনি ? (প্ৰস্থান)

ৰাণী—ভগৱান, দয়াৰ ঠাকুৰ !
অনাথৰ নাথ তুমি !
ৰক্ষা কৰা ঘোৰ বিপদত ;
সহিব নোৱাৰো আৰু অশান্তিৰ জ্বালা।
কৃষ্ণা মোৰ বৰ মৰমৰ,
চেনেহৰ গোলাপ কলিটি।
উপায় নিদিয়া যদি তুমি
দুদিনতে জঁই পৰি যাব।
দয়াময় !
সি কালত কৰিছিলা
দ্ৰৌপদীৰ লজ্জা-নিবাৰণ,
ৰাখা মান আজি মোৰো পতিত পাৱন !
নহলে হে দীনবন্ধু !
লাজ পাবা তুমি,
দীনবন্ধু নামত তোমাৰ
কলঙ্ক সানিব লোকে চিৰকাললৈ।

(প্ৰস্থান)

৪ৰ্থ দৃশ্য।

উদয়পুৰলৈ যোৱা বাট।

[এজন বাটকৰা গছৰ ছাঁত শুই টোপনি গৈছে]

ঠিকুজীৰ প্ৰৱেশ ; গাত বহুমূলীয়া সাজ-পাৰ

ঠিকু—উহ দেউতা ! বাটো কমখিনি নহয় একা। আহোঁমানে আহিছো, যাওঁ মানে গৈছো—ওৰকে নাপাওঁ। পিছে, এতিয়াহে যেনিবা অলপ ওচৰ চাপি অহা যেন পাইছোঁ। যেন কোনোবা লঙ্কালৈহে গৈছোঁ ! (উজুটি খাই বাটকৰাজনৰ ওপৰত বাগৰি পৰে আৰু উচপ খাই থিয় দিয়ে) সীতাৰাম, সীতাৰাম,—এইটো একা কি অ'। (বাটকৰাই সাৰ পায় আৰু উঠে) হেৰ, তই মৰিছিলি নেকি ঔ !—

লখাই—ও ককাই, ককাইটিও ! চোৰ, চোৰ (ঠিকুজীৰ হাতত ধৰে) লৰি আহ, লৰি আহ।

(নেপথ্যত "হেৰ কিনো হ'ল ও, কি হ'ল" বুলি ৰাতিয়াৰ প্ৰৱেশ।)

ৰাতিয়া—তই মোক—খালি—খালি—

লখাই—এই কটা খেকাৰ-খোৱা গোলামে মোৰ টেটুতে চেপি ধৰিছিল ককাই ! ৰূপ দুকুৰি ককালত বান্ধি লৈছিলো বুলিহে কোনমতে ৰইখা।

ঠিকু—উহ ! ধেইট কটা, মিছা কথাষাৰ কব পাৱনে ?

ৰাতিয়া—হয়নে ? মাৰ কটা কুকুৰক, মাৰ মাৰ—

(দুয়ো মাৰে)।

ঠিকু। ও মাৰিলে ঐ মাৰিলে,—খুন কৰিলে।

ৰাতিয়া—পাইছো যেতিয়া এপালি দিহে এৰিম। হেৰ লখাই ! সিদিনাখন আমাৰজনীৰ বাঁহৰ ফণীখন এই বাঘ তেলখোৱাই সৰকালে,—এই বাঘ-তেল খোৱাই, বুজিছানে ? নেৰিবি—(মাৰিবলৈ চোঁচা লয়)।

ঠিকু—হাত এৰ কটা তিৰি-বাৰীহোৱাইঁত। নহলে দেখিছ, এইডাল ৰাম-টাঙোনৰ একেটা চেপেটা কোবতে আজি আধা-মৰা কৰিম বাপেকে। হেৰ কটা বন্দীৰ পো বন্দীইঁত। বাপেৰক চিনি পোৱা নাই নে ? মই হলোগৈ জয়পুৰৰ মহাৰাজৰ কিবা বোলেনে—পৰধান মন্তিনি—দৱান (লখাইয়ে হাত এৰি দিয়ে) মোক তইঁতে উলা-মূলা বিধৰ এজন বুলি ভাবিছ নে কি ? দেখা নাইনে গাত কেনে লাখ টকীয়া সাজ-পাৰ, হাতত কেনে সোণ খটোৱা লাখুটিডাল ? আজি তইঁতৰ দিন ভাল কটা পঁইতাচোৰাৰ পোৱালিইঁত, নিগনিৰ অণ্ডাইঁত ! নহলে, এই লাখুটিডাল এৰি, সেই কিবা বোলেনে—ৰাম বিষ্ণু নামটোকে পাহৰিলোঁ। এতিয়া—সেই যুজত লোৱা ডাঙৰ দাখন অনাহেঁতেন, এইদৰে ঘূৰাই (লাখুটি-ঘূৰায়) তইঁতৰ মূৰ নথলোঁহেতেন। পাচে এই ডালেৰেও পাৰোঁ—নোৱাৰা নহয়। দিম নেকি ? কানি মুনি দিম ? এই দিলোঁ—সাৱধান—কানিমুনি ভাই আমাৰ গাত দোহ নাই, কানিমুনি ভাই আমাৰ গাত দোহ নাই, কানিমুনি ভাই আমাৰ গাত দোহ নাই !

ৰাতিয়া—হেৰ লখাই! মানুহজন কেনেবা কেনেবা যেন লাগিছে অ।

লখাই—মোৰো ককাই! দেউতা, আপুনিনো কোন আৰু কলৈ যাওঁ বুলিছে?

ঠিকু—যলৈ যাওঁ নোবুলো তোৰ বাপেৰৰ কিটো? হুঁ, বোলোঁ, তোৰ বাপেৰৰ কিটো?—ক'চোন বাৰু? (আত্মগত) কেনে বাপেকে, একেটা ডাবিতে এতিয়া সুৰ সুৰিয়া হলগৈ নহয়? মস্তিনি বুলিহে কোনোমতে সাৰিলো। তেৱ ককালখন বিষায়েই আছে, বোপাই। বৰ কেটামান মাধ-মাৰ শোধালে। ৰজা ঐ, দেহি তোমালৈ ছোৱালী আনিম বুলিহে আজি অনাহকতে ইমান মাৰখন খালোঁ। (প্ৰকাশ্যে) হুঁ, ক'চোন বাৰু, তোৰ বাপেৰৰ কিটো? আমি বৰ লোক মানুহ কাহানি ক'লৈ যাওঁ, কলৈ নেযাওঁ তাৰ কি টায়েন্ আছে?

ৰাতিয়া—আমি হলে উদয়পুৰলৈ যাওঁ বুলিছো—বেহা বেপাৰ কৰিবৰ মনেৰে। পিছে আপুনি—

ঠিকু—হয়নে বাৰু? মইও তালৈকেহে খোজ লৈছোঁ। তইঁত যাৱ যদি ভালেই হ'ল, একেলগে যাম বাৰু। (আত্মগত) উহ, উহ ককালখন বৰ বিষাইছে। হেৰ! এচিলিম ধপাতকে দে চোন।

ৰাতিয়া—লখাই! দে, এচিলিম ধপাত দে।

(লখাইয়ে ধপাত দিয়ে)।

ঠিকু—(ধপাত হুপি) উদয়পুৰৰ ৰাজাৰ এজনী বৰ দিপলিপ ধুনীয়া ছোৱালী আছে। তইঁতে জান নে?

ৰাতিয়া-লখাই—হয়, হয় দেউতা, আছে আছে।

ঠিকু—সেই ছোৱালীজনীলৈ আমাৰ ৰাজাৰ (কাহমাৰে) —কিবা বোলেনে—বৰ মন গৈছে। সেইবাবেহে মই জোৰণ পিন্ধাবলৈ আহিছোঁ।

ৰাতিয়া-লখাই—ওঁ হয়, হয়—এতিয়াহে গম পাইছো, পাইছোঁ।

ৰাতিয়া—পিছে, দেউতা! এইখিনিতে অলপ জিৰাওঁ বুলিছে নেকি?

ঠিকু—এৰা, বৰ ভাগৰিলোঁহে। (আত্মগত) লুইতেহে বুজে ব'ঠা কিমান দ' লৈকে যায়,—তইঁতে কি বুজিবি বাছাইঁত! মাৰত মোৰহে গাৰ তত নোহোৱা হৈছে।

ৰাতিয়া—বাৰু, তেনে পদ এফাকিকে শুনক। গাটো অলপ পাতল পাব। হেৰ লখাই! তই খঞ্জৰীটোকে বা।

(ৰাতিয়াৰ গীত)।

যাবৰ বেলি বাটৰ লগে
মিচিক্ হাঁহি যায়, হেৰা,
মিচিক্ হাঁহি যায়;
কাজল—সনা নয়ন যুৰিত
মৰম লগাই চায়, হেৰা,
মৰম লগাই চায়।
সপোন-পুৰীৰ ৰূপৰ পখীৰ
সোণৰ দেশত ঘৰ,
তৰাৰ কিৰণ, জোনৰ হাঁহি
কোন গগণৰ?
যাবৰ বেলি ওৰণি তুলি
এটি কথা কয়. হেৰা,
এটি কথা কয়।

ঠিকু—হেৰ ৰাতিয়া! তইচোন বঢ়িয়া গাব পাৰ অ'। বাৰু বাৰু—এতিয়া যাওঁ চল।

ৰাতিয়া—চলক। (সকলোৰে প্ৰস্থান)।

[পট উঠে]

৫ম দৃশ্য।

উদয়পুৰৰ ৰাজ সভা।

[ৰাণা বহি আছে; এফালে শিৱদাস আৰু সতীদাস আনফালে অজিতসিংহ আৰু যুৱন দাস থিয় দি আছে।]

ভীম—মাৰ্হাট্টাৰ নিৰ্য্যাতন, কন্যাৰ পৰিণয় চিন্তা, শূন্য ৰাজকোষ—এই ত্ৰ্যহস্পৰ্শযোগে মন, বুদ্ধি, চেতনা অসাৰ, নিস্পন্দ কৰি তুলিছে, মূৰৰ মগজু জড়, বিতত কৰি তুলিছে। ৰাণীক অকাৰণে গঞ্জিলোঁ নিৰ্ম্মম বচনেৰে মনত নিদাৰুণ দুখ দিলোঁ। ৰাণীৰ

কি অপৰাধ? অপৰাধী মই নিজে! মন্ত্ৰী, সেনাপতি প্ৰাণত বৰ ক্ষোভ, অন্তৰত গভীৰ বেদনা; একণিকা তৃপ্তি নাই, অলপ শান্তি নাই, ভাল—অভাল বুজিবৰ শক্তি নাই—ইচ্ছাও নাই। তোমালোক সকলোটি আছা, যুক্তি দিয়া, সুপৰামৰ্শ দিয়া, যি ভাল হয় তাকেই কৰা।

শিৱ—কাতৰ নহব ৰাণা! ৰাজ্যৰ ৰজাই কৰ্ণধাৰ; ৰজা অধীৰ হলে ৰাজ্য ৰসাতললৈ যায়।

ভীম—য'ক ৰাজ্য ৰসাতললৈ, ধ্বংস হ'ক সিংহাসন—তিলমানো বেজাৰ নকৰো। মন্ত্ৰী, তুমি বোধকৰো ভাৱিছা যে এই সিংহাসন এবাৰ যদি যায় তেনেহলে মই পুনৰপি তাক পাবলৈ কামনা কৰিম! ভুল মন্ত্ৰী, তোমাৰ বিষম ভুল। য'ক, এটা অগ্নিদাহ, এটা প্ৰলয়ঙ্কৰ ঘূৰ্ণীবায়ু, শ্মশানৰ এটা উলঙ্গ প্ৰেতে মোক অস্থিৰ কৰি তুলিছে। সতীদাস, তাৰ সন্ধেদ পোৱানে? মন্ত্ৰী, সি কথা জানানে? নাই, নোপোৱা—নাজানা। শুনা তেন্তে—কৃষ্ণা আজি গাভৰু ৰমণী! বিধিৰ কি নিষ্ঠুৰ বিধান! —ৰাণীৰ চকুত এক সাগৰৰ পানী, সিদিনা দেখিলো, দুখন গালেৰে বৈ পৰিছে—নীৰৱে, গোপনে, যেন ৰঙা তেজৰ দুধাৰি মালা। ওঃ, কি ভয়ঙ্কৰ! মূৰত স্বৰগ পৰিলে মানুহৰ কি অৱস্থা হয় দেখিছানে মন্ত্ৰী? ৰাণীৰ সেই অৱস্থা; দেখিলো—স্থিৰ, নিশ্চল, নিস্পন্দ—যেন মৰাশ—কিন্তু, এনে দুৰ্দ্দিনত, কোৱা মন্ত্ৰী! কোন্ সিজন উদ্ধাৰ কৰোতা যিজনে মোৰ ছোৱালীক পৰিণীতা পত্নীৰূপে গ্ৰহণ কৰিবহি, ভাৰ্য্যাৰূপে আশ্ৰয় দি মোক এই দুৰ্ঘোৰ বিপদত পাৰ চপাই লবহি?

[সকলো বিষয়া অলপ পৰ নিমাতহৈ ৰয়।]

সতী—মহাৰাণাই আদেশ দিলে অলপ নিবেদন কৰিব খোজো—

ভীম—নিঃসন্দেহে কোৱা।

সতী—জয়পুৰৰ ৰাজা মহাৰাণাৰ অচিনাকি নহয়। জয়পুৰৰ লগত উদয়পুৰৰ পূৰ্ব্ব আত্মীয়তাও মহাৰাজে নাজানিবৰ কথা নহয়। বোধকৰো—

ভীম—সেনাপতি! জয়পুৰৰ ৰজাই কৃষ্ণক গ্ৰহণ কৰিবলৈ মান্তি হব নে?—হলে ভাল, কিন্তু যদি নহয় তেনেহলে? অন্তৰত উচ্চ সম্মানৰ লোভ ৰখা নাই—সি আশা বহুদিনে বিসৰ্জ্জন দিছোঁ; কিন্তু অপমানৰ ভাৰত মূৰ ডাঙিব নোৱাৰা হৈছোঁ। অপমানৰ বোজা ক্ৰমে মূৰৰ ওপৰত পৰ্ব্বত প্ৰমাণ হৈ পৰিছে। আকৌ জয়পুৰৰ ৰজাও যদি আত্মীয়তা পাহৰি অপমান কৰে, তেনেহলে সেই অপমানৰ বোজা ক'ত থম সেনাপতি? থবৰ ঠাই যে আৰু নাইকিয়া হল!

অজিত—ৰাণা, শুনিছোঁ ৰজা জগতসিংহ ঘোৰ লম্পট ব্যভিচাৰী, মদপী। এনে দুশ্চৰিত্ৰৰ হাতত কুঁৱৰীক সঁপি দিয়া উচিত হব নে?

শিৱ—ও শুনিছা! নিজে দেখা নাই! শুনা কথাৰ মূল্য নাই অজিত!

অজিত—মূল্য আছে মন্ত্ৰীজী! ফুল নুফুটিলে তাৰ গন্ধ নোলায়। সঁচা নে মিছা, খবৰ লওক। জয়পুৰৰ ৰজা বেশ্যাৰ সেৱক।

ভীম—ই কি কথা! যশ, মান, বংশৰ গৌৰৱ জগতসিংহৰ আছে। হব পাৰে তেওঁ কিঞ্চিৎ বিলাসী, হব পাৰে, তেওঁ কিঞ্চিৎ সুখ-সেৱী। সি বয়সৰ ধৰ্ম্ম; বয়োবৃদ্ধিৰ লগে লগে এই কিঞ্চিন্মাত্ৰ ব্যভিচাৰ—দোষ নাইকিয়া হব। সেই বুলি ইমান—হব নোৱাৰে অজিত! লোকৰ মুখত তিলে তালৰ আকাৰ ধাৰণ কৰে।

যুৱন—চন্দাৱৎ চৰ্দ্দাৰৰ কথা মিছা নহয় মহাৰাণা! তেখেতৰ কথাৰ প্ৰতিবৰ্ণ সঁচা। দুশ্চৰিত্ৰৰ হাতত অৰ্পণ কৰি সোণৰ কমল-কলি কৃষ্ণাৰ কপালত দুৰ্ভাগ্যৰ সাঁচ নামাৰিব। তাতকৈ মাৰৱাৰ-পতি মানসিংহ কোনো গুণে হীন নহয়, বৰঞ্চ শ্ৰেষ্ঠ। মৰু-ৰাজ মানসিংহ অযোগ্য নহয় মহাৰাণা!

ভীম—চুপ কৰ, ঘৃণিত কুকুৰ! কুলৰ কংস তই! কোন্ অধিকাৰৰ বলেৰে এই ৰাজ-সভাত নিজৰ বক্তব্য সিংশঙ্কচিত্তেৰে ব্যক্ত কৰিব লাগিছা? কোনে তোক এই পবিত্ৰ ৰাজসিংহাসনৰ কাষলৈ মাতি আনিলে? দূৰ হ পাপীষ্ঠ, কলঙ্কৰ ডালি! আজিৰ-পৰা ৰাজ-সভাত তোৰ ঠাই নাই। উঃ, কি স্পৰ্দ্ধা! মন্ত্ৰী! কৃষ্ণা জগতসিংহত অৰ্পিত হব তাৰ আয়োজন কৰা।

যুৱন—হৃদয় অধীৰ নহবি; শুন—তই ৰাজকুলৰ গ্লানি, ৰাজপুত কংক্ষ। কাণপাতি শুন,—তই নৰকৰ ঘৃণিত কীট, ৰাজ সভাত তোৰ প্ৰৱেশৰ অধিকাৰ নাই। ৰাজ-সিংহাসনৰ ওচৰ নাচাপিবি তই অপবিত্ৰ; দেৱ মন্দিৰ অশুচি হৈ যাব। উঃ জ্বলি গ'ল, পুৰি গ'ল—অলি-পুৰি ভস্ম হৈ গ'ল।

(প্ৰস্থান)

ভীম—য'ক, পাপ বিদায় হ'ল।

শিৱ—ৰাণা কৌৱৰক ক্ষমা কৰক।

ভীম—ক্ষমা নাই মন্ত্ৰী! দূৰ হক কুলাঙ্গাৰ। পিতা! —ৰাণা অমৰসিংহ! কোন্ কুক্ষণত তুমি উপপত্নী গ্ৰহণ কৰিছিলা, কব নোৱাৰোঁ; কিন্তু তাৰ বিষময় ফলে আজি শত বৃশ্চিক্ দংশনৰ দৰে দিনে ৰাতি মোক কামুৰি খাব লাগিছে। যাওক মন্ত্ৰী, পাপ মূৰ্ত্তি মোৰ চকুৰ আগৰ পৰা চিৰকাললৈ আঁতৰি যাওক।

(দুৱৰীৰ প্ৰৱেশ)

দুৱৰী—ৰজা জগতসিংহৰ দূতে মহাৰাণাৰ দৰ্শন পাবলৈ বাহিৰত বৈ আছে।

ভীম—জগত সিংহৰ দূত! কি আচৰিত কথা! দুৱৰী, তেওঁক তুৰন্তে ৰাজ সভালৈ লৈ আহা গৈ।

(দুৱৰীৰ প্ৰস্থান)

সমস্তাৰ ওপৰত সমস্তাৰ সৃষ্টি। ৰাজা জগতসিংহৰ এই অসময়ত হঠাৎ দূত পঠাবৰ কাৰণ কি? একো বুজিব নোৱাৰিলো,—মোৰ সমস্তা।

(দুৱৰীৰ লগত ঠিকুজীৰ প্ৰৱেশ।)

ঠিকু—মহাৰাণাৰ জয় জয়কাৰ হওক।

ভীম—আহা দূত! তোমাৰ ৰজাৰ কুশল নে?

ঠিকু—মহাৰাণাৰ! সৌজন্যক বখানিছো। হয় ৰাণা, বঙালেও কুশলে আছে। তেখেতৰ সম্ভাষণ গ্ৰহণ কৰ'ক।

ভীম—পিছে দূত! তোমাৰ আগমনৰ অভিপ্ৰায়ে কোৱা। ৰজা জগতসিংহে মোলৈ কি সম্বাদ পঠালে?

ঠিকু—মহাৰাণা আমাৰ ৰজাই শুনিবলৈ পাইছে যে ৰাণাৰ হেনো কৃষ্ণা নামৰ এজনী পৰম ৰূপসী আৰু গুণৱতী বিৱাহযোগ্যা ছোৱালী আছে। পিছে, ৰাণাই সন্মত হলে, আমাৰ ৰজাই তেওঁৰ সহধৰ্ম্মিনী ৰূপে পাবলৈ মন কৰে। শ্ৰীচৰণত মোৰ এই ফৈৰি গোহাৰিকে জনাব লগা। এতিয়া কৃপা কৰি মহাৰাণাই মতামত জনালে এই নিশিয়ে বিদায় লব পাবে। আশাকৰো আমাৰ ৰজাৰ মনোবাঞ্ছা সিদ্ধি হব।

ভীম—ভগৱান বিপদকাণ্ডাৰী! ধন্য তুমি; ধন্য তোমাৰ লীলাৰ কৌশল। হীন বুদ্ধি নৰে তোমাৰ এই বিচিত্ৰ লীলাৰ এটি কণা বুজিবলৈকো অক্ষম প্ৰভূ! মন্ত্ৰী, সেনাপতি, ভগৱান পৰম মঙ্গলময়। তেওঁৰ ইচ্ছা যে ৰজা জগতসিংহেৰে সৈতে কৃষ্ণাৰ বিয়া হয়। নাইবা এই দূত ইয়াত হঠাৎ ওলাবহি কিয়?

শিৱ—ভগৱানৰ ইচ্ছা পূৰ্ণ হ'ক।

সতী—মোৰো একো অমত নাই। এই শুভ কাম সম্পন্ন হলে আমাৰ আত্মীয়তাৰ বান্ধ আৰু টান হব।

ঠিকু—সাধু, সাধু, সাধু।

ভীম—তেন্তে শুনা দূত। ৰজা জগতসিংহক মোৰ প্ৰীতি সম্ভাষণ জনাবা আৰু কবা যে তেওঁৰ ইচ্ছাত মোৰ অনিচ্ছা নাই, তেওঁৰ হাতত কৃষ্ণাক অৰ্পণ কৰিবলৈ মই অ-ৰাজি নহওঁ।

ঠিকু—সজ, সজ, অতি সজ। মহাৰাণাৰ জয় জয়কাৰ হওক।

[জিৱণি পট।]

হেজাৰ বছৰৰ বাৰ গণনা

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

জলোৱা আজিয়ে অ' ডেকা হৰা
মৃকুতি যজ্ঞৰ জুই ;
দশোদিশ জুৰি দীপ্তি চৰক
আক নেথাকিবা শুই,
ঘনাই আহিছে কলিয়া ডাৱৰ
প্ৰলয়ৰ বান লই ;—
চল ভেটি তুমি বাধিব লাগিব
হোমাগ্নি সুন্দুমা কই।
ততাতৈয়া কৰা অ' ডেকা লৰা
ডাৱৰে ধৰিলে চানি ;
ধৰণি কঁপাই ভেটা দি ধৰা
নহলে বৈ যাব গ্লানি।
পণ কৰি লোৱা জীৱন তোমাৰ
মুক্তি তোমাৰ লক্ষ্য,
গৌৰৱ ৰক্ষা ধ্যান কৰি লোৱা
কবচ নগ্ন বক্ষ।
চমকি উঠক বিশ্ব ব্ৰহ্মাণ্ড
দৰশি যজ্ঞৰ ধোঁৱা ;
কৰ্ম্ম তোমাৰ ধৰ্ম্ম যে হেৰা
জয়ৰ মন্ত্ৰ গোৱা।
ঘনাই আহিছে বিদেশী "বঙালে"
দেশ ই লুটিব লই ;—
নাই আৰু বেলি অ' ডেকা ল'ৰা
মুক্তিৰ জুই জলাবলৈ।

ওপৰত দিয়া পদ্যটোৰ প্ৰত্যেক ফাঁকিৰ প্ৰথম আখৰবোৰে প্ৰত্যেক মাহৰ কাৰণে বেলেগ বেলেগ নম্বৰ বুজাইছে যেনে—প্ৰথম ফাঁকিৰ প্ৰথম আখৰ 'জ' টোৱে বছৰৰ প্ৰথম মাহ জানুৱাৰীৰ কাৰণে ৮ নম্বৰটো বুজাইছে কাৰণ 'জ' আখৰটো অসমীয়া বৰ্ণমালাৰ ৮ম আখৰ। সেইদৰে ফেব্ৰুৱাৰী মাহৰ কাৰণে অসমীয়া বৰ্ণমালাৰ ১৮শ বৰ্ণ 'দ' অৰ্থাৎ ১৮ নম্বৰটো বহিছে। এইদৰেই—

জানুৱাৰীৰ	কাৰণে	জ—৮
ফেব্ৰুৱাৰীৰ	,,	দ—১৮
মাৰ্চ্চৰ	,,	ঘ—৪
এপ্ৰেলৰ	,,	ঢ—১৪
মেইৰ	,,	ত—১৬
জুনৰ	,,	ধ—১৯
জুলাইৰ	,,	প—২১
আগষ্টৰ	,,	গ—৩
চেপ্তেম্বৰৰ	,,	চ—৬
অক্টোবৰৰ	,,	ক—১
নবেম্বৰৰ	,,	ঘ—৪
ডিচেম্বৰৰ	,,	ন—২০ বহিব।

এতিয়া ১৭শ শতাব্দীৰ পৰা ২৬ তি শতাব্দীলৈকে (অৰ্থাৎ ১৬০০ খৃঃ—২৫৯৯ খৃঃ) যি কোনো শকৰ যি কোনো মাহৰ যেই কোনো তাৰিখে কি বাৰ হব সেইটো ওপৰত দিয়া প্ৰত্যেক মাহৰ নম্বৰটো লৈ যোগ, বিয়োগ, হৰণ কৰি উলিয়ালেই ওলাই পৰিব।

ধৰি লোৱা হওক, ১৯৩৪ চনৰ ১৫ জানুৱাৰীৰ দিনা —যি দিনাই বিহাৰত ভীষণ ভূমিকম্প হৈ প্ৰলয়ৰ তাণ্ডৱ লীলা দেখুৱাইছিল—কোন বাৰ পৰিব? আমি প্ৰথমতে চনটোৰ শকটো এৰি দি কেৱল বছৰটোহে লম। ইয়াত ১৯৩৪ চনৰ ১৯ শকটো এৰি ৩১ বছৰটো লালো। এতিয়া এই ৩৪ বছৰৰ ভিতৰত কিমান 'লিপ ইয়েৰ' (Leap year) গৈছে তাক ৪ৰে হৰণ কৰি উলিয়াই লোৱা যাওক—উত্তৰ—৮ হল।

তাৰ পিছত জানুৱাৰী মাহৰ কাৰণে অসমীয়া বৰ্ণমালাৰ অষ্টম আখৰ 'জ,' পৰাত ৮ নম্বৰটো লোৱা হল। তাত ১৫ তাৰিখৰ পোন্ধৰ লৈ সকলো কিটা যোগ দিলে ৬৫ হয় (৩৪ + ৮ + ৮ + ১৫ = ৬৫)। অৱশেষত এই যোগফলক সপ্তাহৰ ৭ দিনেৰে হৰণ কৰি যি বাকী থাকে সেই বাকীৰ নম্বৰেই বাৰৰ নম্বৰ হয় (এক বাকী থাকিলে দেওবাৰ, দুই থাকিলে সোমবাৰ, তিনি থাকিলে মঙ্গলবাৰ, ইত্যাদি) এতিয়া ৬৫ ক ৭ ৰে হৰণ কৰিলে ২ বাকী থাকে, সেই কাৰণে সেই দিনা সোমবাৰ আছিল। এতিয়া যোৱা বছৰৰ পঞ্জিকা মেলি চালে সেই দিনা সোমবাৰ আছিলনে নাই চাব পাৰি। তেনেকৈয়েই মানুহৰ জন্ম তাৰিখৰ দিনা কি বাৰ আছিল তাকো চাব পাৰি।

এনেদৰেই ১৬০০ খৃঃ পৰা ২৫৯৯ খৃঃ লৈকে যি কোনো মাহৰ যি কোনো তাৰিখে কি বাৰ আছিল বা হব তাক ওপৰত দিয়া গণনা মতে উলিয়াব পাৰি।* এই গণনা মই নিজে কৰা আৰু ইয়াক কৰি উলিয়াবলৈ প্ৰায় ৮ মাহ সময় লাগিছিল। ঠিক এনে ধৰণৰ দিন গণনাৰ নিয়ম প্ৰণালীৰ বিষয়ে মই দাক্ষিণাত্যৰ তামিল ভাষাৰ দুখনমান হাতে লিখা পুথিৰ পৰা এজন পণ্ডিতৰ সৌজন্যত অনেক সহায় পাইছিলো। কবলৈ গলে মই এই বিষয়ে প্ৰথম প্ৰেৰণা আৰু আহিলা পাওঁ সেই তামিল পুথিৰ পৰাই। তামিল ভাষাতো তামিল পঞ্জিকামতে চাৰিশ বছৰৰ গণনা সেই পুথিৰ পৰাই উলিওৱা হৈছে, ব্যায়ামবীৰ প্ৰফেচাৰ মোহন চি, আৰ, ডি, নাইডু বি-এ দেৱৰ এশবছৰীয়া কেলেণ্ডাৰ (century calender) এনে তামিল পুথিৰ পৰাই সহায় লোৱা হৈছিল বুলি তাহানি খনেই মোৰ সৰু কালত প্ৰফেচাৰ নাইডুৱে অসমলৈ আহোতে (১৯২৬ চনত) মোক কৈছিল। ইয়াৰ পৰাই দেখা যায় যে জ্যোতিষ, গণনা আদি বিষয়ত তামিল সাহিত্য কিমান চহকী। মই মোৰ দেশ ভ্ৰমণৰ সুযোগ লৈয়েই এই প্ৰেৰণা লগত লৈ আহি ইয়াত প্ৰায় ৮ মাহমান আজৰি সময়ত খাটি ওপৰৰ 'বাৰ গণনা' এহেজাৰ বছৰৰ কাৰণে উলিয়াই অসমীয়া ভাই-ভনী ককাই-বাইদেউ সকলৰ আগত ডাঙি ধৰিবলৈ পাই গৌৰৱান্বিত হৈছোঁ। এই খিনিতে তামিল সাহিত্যৰ প্ৰতি সম্পূৰ্ণ শ্ৰদ্ধা ভক্তি ৰাখি উপৰোক্ত পণ্ডিতদেৱৰ সৌজন্যৰ কাৰণে কৃতজ্ঞতা স্বীকাৰ কৰি থলোঁ। মোৰ বন্ধুৰ কহিমাবাসী শ্ৰীযুত কৰুণা কান্ত গগৈ ভায়ায়ো ওপৰৰ পদ্যটো ৰচনা বিষয়ত অনেক সহায় কৰাৰ কাৰণে মোৰ ধন্যবাদ জনালো।

এইখিনিতে উল্লেখ কৰা দৰ্কাৰ যে তামিল পঞ্জিকাৰ শক-মাহ অন্য কোনো দেশৰ শক মাহৰ লগত নিমিলে—তামিল পঞ্জিকা মতে এতিয়া তেৰ শতাব্দীৰ আৰম্ভহে। তাৰ উপৰি মাহ গণনা আৰু দিন বাৰ গণনা আমাৰ দিন বাৰ বছৰৰ লগত নিমিলে। সেই কাৰণে ইয়াৰ সকলো গণনা নিজেই নতুনকৈ কৰিব লগা হৈছে—কেৱল প্ৰণালীটোহে তামিল গণনাৰ পৰা ধাৰ কৰি লোৱা হৈছে। প্ৰথমতে আধুনিক অসমীয়া বা বঙালী দিন পঞ্জিকামতে তেনে গণনা কৰি উলিয়াবলৈ চেষ্টা কৰা হৈছিল। পিছে আমাৰ দিন গণনাত মাহৰ দিনবোৰৰ সংখ্যাত বেমেজালি আৰু অমিলতা থকাৰ কাৰণে এতিয়ালৈকে তেনে গণ না কৰি উঠিব পৰা হোৱা নাই। আগলৈ মন থাকিল। এই কাৰণে ইংৰাজী শক আৰু মাহমতেই কৰিব লগা হ'ল।

অৱশেষত ইয়াকো জনাই থোৱা হল যে ওপৰত দিয়া পদ্যটো কেৱল বেলেগ বেলেগ মাহৰ সংখ্যা কেইটা উলিয়াবলৈহে দিয়া হৈছে। তাতোকৈ ভাল চমু আৰু মনত ৰাখিব পৰা কেৱল দুফাকিমান পদ্যৰ মাজত গোটেই বাৰটা আখৰ সুমাই ৰচনা কৰি উলিয়াই দিব পাৰিলে তাক বদল কৰা হব। কোনো সদাশয় কবি সাহিত্যিকে সেইফেৰা উপকাৰ কৰি দিলে আগ্ৰহেৰে গ্ৰহণ কৰি কৃতজ্ঞ থাকিম আৰু নিজে ধন্য মানিম। মোৰ সম্পূৰ্ণ বিশ্বাস যে এই অসুবিধা অচিৰতে দূৰ হব। সবাতোকৈ বেছি আনন্দ পাম যদি এই বাৰ গণনাই কাৰোবাক অলপ সন্তোষ দিব পাৰে।

মন্তব্য :—

* এই খিনিতে এটা কথা মনত ৰাখিব লাগিব যে গণনাত কুড়ি শতিকাকেই (১৯০০ খ্ৰী—১৯৯৯খৃ) 'ষ্টেণ্ডাৰ্ড' (Standard) অৰ্থাৎ আদৰ্শ শতিকা বুলি ধৰা হৈছে। একৈশ শতিকাৰ পৰা ছাব্বিশ শতিকালৈকে প্ৰত্যেক শতিকাতে হিচাবৰ যোগ ফলৰ পৰা দুই দুই বাদ দি যাব লাগিব আৰু তাৰ পিছতহে ৭ ৰে হৰণ কৰিলে ঠিক বাৰটো ওলাই পৰিব অৰ্থাৎ—

খ্ৰীঃ ২০০০	পৰা খৃ ২০৯৯	লৈকে	—১
" ২১০০	" ২১৯৯	"	— ৪
" ২২০০	" ২২৯৯	"	— ৬
" ২৩০০	" ২৩৯৯	"	— ৮
" ২৪০০০	" ২৪৯৯	"	— ১০
" ২৫০০০	" ২৫৯৯	"	— ১২

এই সংখ্যা কিটা হিচাবৰ যোগ ফলৰ পৰা বাদ দিহে ৭ৰে হৰণ কৰি বাকি উলিয়াব লাগিব।

সেইদৰেই

খৃ ১৬০০	পৰা খ্ৰীঃ ১৬৯৯	লৈকে	—৬
১৭০০ "	" ১৭৯৯	"	—৪
১৮০০ "	" ১৯৯৯	"	—২

এই সংখ্যা কিটা যোগ ফলৰ লগত যোগ দিহে

৭ৰে হৰণ কৰিলে বেলেগ বেলেগ শতিকাৰ বেলেগ বেলেগ মাহৰ যেই সেই তাৰিখে কি বাৰ পৰিব তাক উলিয়াব পাৰি। এই হেজাৰ হেজাৰ বাৰ গণনা অনেক দিন আজৰি সময়ত বহি নিজ ক্ষুদ্ৰ মগজেৰে কাগজ কলমত হিচাব কৰি উলিওৱা হৈছে এতিয়ালৈকে কতো একো খুট বৈ যোৱা পোৱা নাই। এতিয়া অসমীয়া সুধী বৃন্দলৈ আগ বঢ়োৱাৰ লগে লগে তেখেত সকলক আহ্বান কৰা হল যেন কৰবাত কিবা খুট আদি উলিয়াই দিব পাৰিলে সাদৰেৰে লোৱা হব আৰু কৃতাৰ্থ হম—

খামখিয়ালী

গল্প—

—শ্ৰীযুত প্ৰসন্ন লাল চৌধুৰী বি-এ

বহু দিন বিদেশত আছোঁ। বন্ধু বান্ধৱ বেছিতো নাছিলেই, যি আছিল দুই চাৰিজন তেওঁলোকেও পাহৰাৰ দৰেই হৈছে। কামৰ হেঁচাত ময়ো যে কাৰোবাৰ কিবা খবৰ-বাতৰি লব পাৰিছো তেনে নহয়। সি যিয়ে হক এজন মানুহক কিন্তু পাহৰিব পৰা নাই—বোধ হয় এই বুলি, যে তেওঁৰ জীৱন যাত্ৰাৰ প্ৰণালীত এটা বিষম বিশেষত্ব আছিল। তেওঁ ডাক্তৰ দাস। তেওঁ যি সময়ত মেডিকেল কলেজত পঢ়ে তেতিয়া আমি কলেজত নাম লগাইছো মাত্ৰ। কলিকতাত একে লগে আছিলো দুই বছৰমান। তাৰ পিছতে তেওঁ পাছ কৰি আহি চাকৰি লয়! তেতিয়ালৈকে ডাক্তৰ দাস সৰল প্ৰকৃতিৰ পৰোপকাৰী সুন্দৰ ডেকা। কিন্তু পিছত দেখা গল, তেওঁৰ দৰে ভাল মানুহ এজনেও চিভিল চাৰ্জ্জনৰ বিহ নজৰত পৰিল। ভিতৰুৱা খবৰ,—তেওঁ চাহাবক মফচলত যথেষ্ট সংখ্যক ৰোগী দিব নোৱাৰিলে। দুই বছৰ মানৰ ভিতৰতে ডাক্তৰ দাসে কাম এৰি ওলায় আৰু সেই ছেগতে ছিলঙৰ ডি, পি, এইচৰ অফিচত কোনোবা কেৰাণীৰ ঘৰ পোহা ডাক্তৰ এজনে সেই পদত নিগাজী হৈ বহিল। ডাক্তৰ দাস আহি ঔষধৰ দোকান পাতি স্বাধীন ভাৱে ডাক্তৰী আৰম্ভ কৰিলে। লাহে লাহে নগৰত সকলোৰে আলোচনাৰ বিষয় হল ডাক্তৰ দাস কেনে মানুহ? কোনোৱে কলে, ভণ্ড কোনোৱে কলে পগলা, কোনোৱে বা সাধু বুলিও কলে। কোনোৱে কলে সমাজ সংস্কাৰক, কোনোৱে কলে ঘোৰ সমাজ দ্ৰোহী, কোনোৱে কলে ব্ৰাহ্মণ বিদ্বেষী, কোনোৱে কলে নাস্তিক, কোনোৱে কলে অতি মতলবী।

তেওঁ অবিবাহিত। দুজন চাকৰেই তেওঁৰ সংসাৰ। চৰ্কাৰী চাকৰি নহল বুলিও চিকিৎসা বিষয়ত তেওঁৰ সুনাম আৰু আয় আছে। অথচ খৰচৰ ফালে অতি সংক্ষেপ।

চৰ্কাৰী বিষয়াই ভেঁটী নাখালে আয়টো যেনে নিৰ্দ্ধাৰিত, সাধাৰণতঃ ডাক্তৰ দাসৰ ব্যয়টোও তেনে ধৰাবান্ধা। জাৰে জহে তেওঁৰ সাজ প্ৰায় একেটাই কিন্তু তেওঁ বোম্বাই বা মাদ্ৰাজ মিলৰ কাপোৰৰ বাহিৰে অন্য দেশী কাপোৰ নিপিন্ধে। কেতিয়াবা দেশী কাপোৰ বুলি বঙালী মিলৰ কাপোৰ নাইবা অভয় আশ্ৰমৰ খদ্দৰ আদি যাচিলে, তেওঁ কয়—লাগে জাপানী কাপোৰেই তেওঁ কিনিব তথাপি বঙ্গদেশৰ কাপোৰ নিকিনে। সুধিলে উত্তৰ দিয়ে, বঙালী কাপোৰো অসমীয়াৰ পক্ষে বিদেশী। জাপানী বা বিলাতী কোম্পানীয়েও আমাৰ টকা চুহি নিয়ে সঁচা কিন্তু বঙালীয়ে টকা নিয়াৰ উপৰিও, জাতিটোৰে অস্তিত্ব নাইকিয়া কৰিবলৈ বিচাৰে। তেওঁৰ চাহ খোৱাৰ সময়ত যদি অকস্মাৎ কোনোবা বেছি ডাঙৰ জাতৰ মানুহ উপস্থিত হয়, তেওঁ ভদ্ৰতাৰ খাতিৰতো তেওঁক এপিয়ালা চাহ বা তামোল এখন নাযাচে, যদিওবা দুয়ো একেখন মেজতে বহি কথা বতৰা পাতি থাকিব লগা হয়। কিন্তু কম ডাঙৰ জাতৰ মানুহ হলে, আদৰ সাদৰ কৰি খুৱাই-পঠোৱাৰ দৃষ্টান্ত বহুত। সুধিলে জবাব দিয়ে "ডাঙৰ সকলক খুৱাই লাভ কি? তেওঁলোকক মই খুৱাম যত্ন কৰি, কিন্তু মোক খুৱালেতো তেওঁলোকে একেশাৰীত নুখুৱায়; চাহ টোপা খুৱালেও ময়েহে আকৌ পিয়ালাটো ধুই দি আহিব লাগিব। সৰু হবলৈ মই যাচি যাওঁ কিয়? তাতকৈ কম ডাঙৰ জাতৰ মানুহক খুৱালে তেওঁলোকে মোক ওপৰত ঠাই নিদিলেও অন্ততঃ তলত নিদিয়ে।"

ৰোগী চাওঁতে এবাৰ এজন মানুহে তেওঁৰ ভিজিট ৪৲ টকাৰ ঠাইত তিন টকা দিয়া দেখি তেওঁ দপদপনি ধৰিলে। গৃহস্থই উপায় নাপাই হাত বাকচটো আগত আনি মেলি দেখুৱালে, যে তাত মুঠেই আঠ অনা পয়ছা মাত্ৰ বাকী আছে। তেওঁ অলপ কোমল হৈ কলে, "মোৰ ভিজিটেই দিব নোৱাৰিলি যেতিয়া, ৰোগীক পথ্য খুৱাবি কিহেৰে?" গৃহস্থই লাজত দুখত ম্ৰিয়মাণ হৈ কলে যে এক অনাৰ চাগুদানা আৰু মিশ্ৰী হলেই পথ্যৰ কাম চলিব, বাকী খিনিৰে আন খৰচ চলিব; নহলেতো আৰু উপায় নাই। ডাক্তৰে ডাবি মাৰি কলে "এক অনাৰ চাগুদানা খাই ৰোগী নিজীয়ে। খাব নিদি ৰোগীক মাৰিবি, আৰু, বদ্‌নাম হব ডাক্তৰৰ। ল' ভালে ভালে এই টকা। মই কোৱা মতে পথ্য দিবি, খৰচৰ হিচাব কিন্তু মোক দি থাকিব লাগিব, পয়ছা খালে মৰিবি।" আৰু জেপৰ পৰা ২০৲ টা টকা উলিয়াই দি, তাৰ পৰা এটকা আৰু ভিজিটৰ আগে দিয়া তিনটা টকা গোটাই ৪৲ টকা কৰি লৈ গুচি আহিল।

এবাৰ তেওঁৰ মন গল যে পিতৃশ্ৰাদ্ধটো কৰি থোৱা ভাল। সকলো আয়োজন কৰি, আগদিনা যথা নিয়মে হবিচ কৰি তিথিৰ দিনা পুৱাই গা ধুই পাটৰ চুৰিয়া চাদৰ লই ডাক্তৰ সিদিনা তেনেই নতুন মানুহজন! পুৰোহিত আহিল। ফুল, তুলসী, তিল, কুশ দুবৰি, পঞ্চগব্য, মধুপৰ্ক নৈবেদ্য আদিৰে কীৰ্ত্তন ঘোষাৰ থাপনাৰ আগত শ্ৰাদ্ধৰ দিহা পোহা কৰি, ডাক্তৰ শৰাধত বহিল। বামুণে যথা নিয়মে মন্ত্ৰ মাতি গৈছে। ধূপ ধুনাৰ ধোঁৱাই, আৰু পাঠকৰ নাম ঘোষাৰ 'মুক্তিত নিস্পৃহ নিটো' আদি ধ্বনিয়ে এটা মধুৰ ভাৱৰ ঢৌ তুলি দিছে। হঠাৎ ডাক্তৰৰ কাণত পৰিল বহু দেৱ দেৱীৰ নামে নমো নমো কৰি এবাৰ শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ উদ্দেশ্যে থাপনাৰ ওপৰত ফুল তুলসী দিব দিয়া! লঘোণে ভোখনে থকা মানুহ, অনভ্যস্ত কাম কৰি দিগদাৰি পাই বোধ হয় পেটে পেটে টিঙিৰি তুলা যেন হৈ আছিল; হঠাৎ কৈ উঠিল "নাই! নহল! আপুনি মোক বলিয়া কৰিবৰ মতলব কৰিছে! কি ভাবিছে আপুনি? মই অমুকা ডাক্তৰ বিশুদ্ধ বৈষ্ণৱ—পন্থী! সিজনাই আজি পিতৃশ্ৰাদ্ধৰ দিনা মহাপুৰুষৰ কীৰ্ত্তন ঘোষাৰ ওপৰত বঙালীৰ আমদানী দুৰ্গা দেৱীৰ উদ্দেশ্যে ফুল তুলসী দিব? খালোঁ কি হল—'হাফ বইল এগ', সেই বুলি ইয়াকো কৰিম নে?" পুৰোহিত বাপু স্তম্ভিত হৈ তেওঁৰ মুখৰ ফালে চাই ৰল। ডাক্তৰে চাকৰটোক হুকুম দিলে বাপুৰ জলযোগৰ ব্যৱস্থা কৰিব লাগে। বাপুই বিৰক্ত হৈ কলে "শাস্ত্ৰে যি কয় তাকেহে কব পাৰোঁ আমি। আপোনাৰ কাৰণে নতুনকৈ বেদ সৃষ্টি কৰিব কোনে?" ডাক্তৰে কলে "শাস্ত্ৰে কয়, কৈ থাকক আপুনি, মই উঠিলোঁ। ভাল মানুহ পাইছে মোক দুৰ্গা গোসানী

পূজিবলৈ! তাতকৈ মই অসমৰ কেচাই খাঁতী গোসানীক পূজিম।" তেওঁ উঠিলেই। যদিও এই অনাচাৰত বাপুৰ খঙ মূৰৰ চুলি পাইছিল তথাপি, দেশ কাল পাত্ৰ চাই মুখেৰে ভেচভেচাব ধৰিলে, 'সনাতন ধৰ্ম্মকো অসমীয়া বঙালীয়ে ভাগ কৰা হল, গল ধৰ্ম্ম! গল সমাজ!' ডাক্তৰে খিয়হৈ উঠি কলে, "যক সকলো—বুজা আছে আমাৰ। দেশ খন তল য'ক, মাত্ৰ আপোনালোকৰ প্ৰতিপত্তিটো থাওক। এই হে কথা! দেৱতাৰ সংখ্যা বাঢ়ে মানে আপোনাৰ লাভ। ল'ক এই দহটকা শ্ৰাদ্ধৰ দক্ষিণা বুলি, আৰু 'সোপায়াং নমঃ' বুলি শ্ৰাদ্ধটো শেষ কৰক। মই আপোনাৰ হাত মুখ ধুবৰ দিহাটো কেনে হৈছে চাওঁ।" ডাক্তৰ আহি মজিয়াত বাপুৰ বাবে গাখীৰ, বকা চাউল, গুড়-কল আদিৰ ব্যৱস্থাত লাগিল। বাপুয়ো যথা লাভ বুলি তাতে তাতে ইতি কৰি জলপানত বহিল। সেইবাৰৰ পৰা ডাক্তৰে শ্ৰাদ্ধৰ সময়ত হবিচ আদি কৰি পুৰোহিতলৈ ১০০টি টকা পঠিয়াই দি শ্ৰাদ্ধৰ দক্ষিণা পোৱা বুলি এখন ৰচিদ লোৱাৰ দিহা কৰিলে। আৰু সেই সময়ত লগত কোনোবা বন্ধু-বান্ধৱ থাকিলে কয়—'ইহলোকৰ মাটিৰ ৰাজহৰ ৰচিদখন যেনে লাগতিয়াল পৰলোকৰ ৰাজহৰ ৰচিদ এইখনো তেনে লাগতিয়াল'। ইয়াতো মৌজাদাৰ গৱৰ্ণমেণ্ট তাতো যমৰজা গৱৰ্ণমেণ্ট।

এনেবিলাক কাম যে কেৱল তেওঁ ঘৰতেই কৰে এনে নহয়। কেতিয়াবা ৰাজহুৱা সমাজতো নকবলগা কথা কৈ বুঢ়ালোকৰ নিন্দা আৰু ডেকাসকলৰ প্ৰশংসা লাভ কৰে। কোন বছৰত জানো পাহৰিলো; এবাৰ মহা সমাৰোহেৰে অসম সেৱক সঙ্ঘৰ বছৰেকীয়া অধিবেশন। সকলো ফালৰ পৰা বুঢ়া-মেথা, আদহীয়া আৰু ডেকা দেশ-ভক্ত সকল ভলণ্টিয়াৰ সকলৰ মূৰত বিছনাৰ বোজা দি উপস্থিত হল। সভাপতি হল বহুদিনৰ নীৰৱ দেশ প্ৰেমিক পুলিচৰ ইন্‌স্পেক্টৰ ৰূপে পেঞ্চন প্ৰাপ্ত শ্ৰীযুত হাজৰিকা। এই সভাৰ বিশেষত্ব আছিল তেখেতৰ দৰে নামজলা ডাঙৰীয়াৰ সভাপতিত্বই। যথাবিহিত সঙ্গীত আৰু মাল্যদান আদিৰ পিচত—

"ওঁ যোদেবোঽগ্নৌ যোঽপসু যো বিশ্বং ভুবনমাবিবেশ।
যো ওষধিষু যো বনস্পতিষু তস্মৈ দেবায় নমোনমঃ।

শ্লোকক আগ কৰি, 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী' শ্লোকক মাজ কৰি, আৰু "ওঁ মধুবাতা ঋতায়তে" মন্ত্ৰৰে শেষ কৰি সভাপতিয়ে দেশ প্ৰেমৰ সুদীৰ্ঘ বক্তৃতা বলকিলে। শুনোতা সকলেও উশাহ লৈ বৰ্ত্তিল। হাত চাপৰিৰ জাউৰি উঠি গৈ শেষত সকলৰাবিলাকৰ মাজত কোনো মতে নিজম পৰিল। তাৰ পিছত যথাযুক্ত তৰ্কাতৰ্কিৰ শেষ কৰি জনা নজনা সকলো মৃতকৰে শোকত সমবেদনা জনাই প্ৰস্তাৱ লিখি লোৱা হল। শেষত আহিল উপস্থিত ভদ্ৰলোকৰ মাজৰ পৰা বক্তৃতা দিবৰ পালা। ইজনে সিজনলৈ চায় সিজনে ইজনলৈ চায়। এনেকৈ কেই মিনিট মান গল। শেষত সভাপতিয়ে ডাক্তাৰৰ ফাললৈ চাই, তেওঁকে কবলৈ ইঙ্গিত দি উদগণি দিলে। লাহেকৈ ডাক্তাৰ থিয় হল, আৰু গহীন হৈ কব ধৰিলে "মাননীয় সভাপতি আৰু উপস্থিত ৰাইজ! মই বক্তাই বোলক বা বকোতাই বোলক একো নহয়। তথাপি মোৰ ওপৰত আদেশ হৈছে যেতিয়া মনত খেলোৱা দুষাৰমান কথা কবলৈ আগ বাঢ়িলো। চৰ্কাৰী বিষয়াৰ দেশ প্ৰেমত মোৰ বিশ্বাস নাছিল এই বুলি, যে হাকিম চবডিপুটি' আদি হৈ তেওঁলোকে দুখীয়া ৰাইজৰ সুখ দুখলৈ নাচাই, ৰাজবিষয়াৰ স্বাৰ্থলৈ চাই, মানুহৰ বহুত সময়ত অপকাৰ কৰে। তেওঁলোকে গৰুচৰা ৰিজাৰ্ভ কাটি দি অসমীয়াৰ উচ্ছেদ কৰে, খাজনাৰ বেলিকা ডাল দৰিদ্ৰৰো কাঁহি বাটি কাঢ়ি লৈ ৰাজভৰাল পূৰ্ণ কৰিবৰ চেষ্টা কৰে। চাকৰি এৰিও তেওঁলোকে দুখীয়াৰ দুখ নুবুজা হয়। কাৰণ চিৰজীৱন দাসত্ব কৰি, আৰু সেই দাসত্বৰে গৰ্ব্ব কৰি, শেষত স্বাধীন চিন্তা কৰিব নোৱাৰা হয়। কিন্তু যদিহে আজিৰ সভাপতিৰ বক্তৃতাৰ কথাবিলাক সঁচা হয়, তেন্তে বুজিব লাগিব, মোৰ আগৰ ধাৰণা ভুল। কাৰণ আজিৰ সভাপতি মহোদয়ে যে কেই বছৰমান আগতে, কানিৰ দোকানত কানীয়াক কানি এৰিব কোৱা অপৰাধত কেইজনমান ডেকাক গ্ৰেপ্তাৰ কৰি থানাত কনিষ্টবল লগাই জোতাৰে মৰাইছিল, ইস্কুলৰ দুৱাৰমুখত পিকেটিং কৰা দায়ত ছাত্ৰ কেইজনমানক আলিৰ ওপৰতে চাবুক লগাইছিল, গাওঁলৈ অস্ত্ৰধাৰী পুলিচ নি অকথ্য অত্যাচাৰ কৰিছিল, সেইজনে

আজি দেশক এনেকৈ চিনি পাইছে যে আজি দেশৰ দুখত তেওঁৰ বক্তৃতাৰ শাৰিয়েপতি বেদনাৰ চকুলো বাগৰিছে, আজি তেওঁ দেশৰ হকে সকলোকে সৰ্ব্বশ্ৰেষ্ঠ ব্যক্তিগত স্বাৰ্থ এৰি আহিবলৈ আহ্বান কৰিছে। ধন্য তেওঁৰ আহ্বান বাণী আমিও লগতে ধৰি লৈছোঁ তেখেত নিজেও প্ৰয়োজন হলে পেঞ্চনৰ টকা খিনিৰ, পুতেকৰ চাকৰীৰ আৰু নিজৰ শেষ বয়সৰ শান্তনা ৰায় চাহাব উপাধিটিৰ আশা ফেৰি ত্যাগ কৰিয়েই ওলাই আহিছে। এনে মহৎ আদৰ্শ থকাতো আমাৰ ডেকাবিলাক কিয় যে পাছ পৰা হৈ আছে কব নোৱাৰো। আমাৰ ভিতৰত কিছুমান মানুহ আছে সঁচা, যি মুখত কয় এক, আৰু কাৰ্য্যত কৰে আন। সুধিলে হয়তো উত্তৰ দিয়ে মই উকীল হিচাবে বা ব্যৱসায়ী হিচাবেহে তেনে কৰিছো; মাত্ৰ ব্যৱসায়ৰ খাতিৰত। আমি নাজানো মানুহ হিচাবে তেখেত সকলে কেতিয়া কি কৰে বা কৰিছে। আমি আজি আশা কৰো সভাপতি মহোদয়েও সভা মণ্ডপৰ পৰা ওলাই গৈ ভুলক্ৰমে কৈ নেপেলায় যে তেওঁ কেৱল সভাপতি হিচাবেহে অভিভাষণত লিখা কথাখিনি লিখিছিল আৰু পঢ়িছিল? ব্যক্তিগত জীৱনত তাক খটাই দহজনক বাট দেখুৱাটো তেওঁৰ উদ্দেশ্য নহয়।"—ডাক্তৰে আৰু কিবা কলে হয় নেকি, কিন্তু যেতিয়া সভা পতিয়ে গম পালে, তেওঁৰ কাণৰ পৰা নাকৰ আগলৈ ৰঙা পৰি গৈছে, গোটেই গা চেৰা ঘামে ঘামিব লাগিছে, লগৰ ভাই প্ৰাচীন পন্থী বুঢ়া মেথা সকলে তলমূৰ হৈছে; অথচ স্কুল কলেজৰ ডেকা লৰাবিলাকে সভাপতিৰ বিলাই দেখি হাত তালি দিব লাগিছে; তেতিয়া তেওঁ 'বিপদত ধৈৰ্য্যই ঔষধি' বুলি ধৰি নিতৌৰ নিতকৰ্ম্ম আইন আৰু শৃঙ্খলা ৰক্ষা কৰাত মন দিলে; ঘৰীলৈ চাই গহীনাই আদেশ দিলে ডাক্তৰ ডাঙৰীয়াই যেন বক্তৃতা শেষ কৰে নহলে সময়ৰ নাটনি। ডাক্তৰে হাঁহি মাৰি বহিল। ডেকা লৰাইতে চিঞৰ ধৰিলে 'আৰু কওক' 'ভাল'কৈ ক'ক'। ইত্যাদি। ডাক্তৰ আৰু নুঠিল, সভাত দৰ্শক সকলৰ মাজত ভালকৈ আলোচনা হব ধৰিলে সভাপতিৰ কৰ্ম্ম জীৱনৰ কীৰ্ত্তিবিলাক। এনেতে এজন পুৰণি কলীয়া মাতব্বৰে থিয় দি ডাক্তৰৰ কথা যে নিন্দাসূচক আৰু ৰাজদ্ৰোহ মূলক হৈছে সেই বিষয়ে বক্তৃতা গাবলৈ আৰম্ভ কৰিলে। একোণত জুম বান্ধি আছিল ডেকা ছাত্ৰ কিছুমান। সিহঁতৰ চিৎকাৰ ধ্বনিত ঘোৰ অপমান বোধ কৰি তেওঁ ছাত্ৰবিলাকক গুণ্ডা, দগাবাজ আদি বুলি সদলবলে সভাপতিক লৈ এইবিলাক অসভ্য আচৰণৰ প্ৰতিবাদ স্বৰূপে সভা মণ্ডপ পৰিত্যাগ কৰিলে। ডেকা সকলে তেতিয়া সভা মণ্ডপ অধিকাৰ কৰি ডাক্তাৰকে সভাপতিৰ বাব যাচিলে। ডাক্তৰে বিনয় প্ৰকাশ কৰি কলে "সভাপতি হৈ দেশ উদ্ধাৰ কৰা প্ৰবৃত্তি মোৰ নাই, সেইবোৰ তোমালোকেই যি কৰা কৰি থাকা, মই অৱশ্যে তাৰ ভিতৰতো নাই, বাহিৰতো নাই।" ডাক্তৰ লাহে লাহে সভাৰ পৰা ওলাই আহিল।

এবাৰ খোদাবক্‌চ্ নামে এজন পঞ্জাবী জ্যোতিষী আহি কোনোবা এজন হাকিম ডাঙৰীয়াৰ পদোন্নতি হব বুলি ভবিষ্যদ্বাণী কৰিছিল। আচৰিত কথা দুমাহ যাওঁতে নাযাওঁতে তেওঁ জজ হোৱাৰ বাতৰি আহিল। খোদা বক্‌চেও সুযোগ বুজি কৰবাৰ পৰা দেখা দিলেহি। হাকিমৰ পৰা সন্মানৰ প্ৰশংসা পত্ৰ আৰু নগদ এশ টকা বকচিচ লাভ কৰিলে; ইফালে সৰ্ব্বসাধাৰণৰ ভাগ্য গণনাৰ জাউৰত কুকলে কুকলে টকা গণি লৈ খোদাবকচৰ ভাগৰ লাগিল। তেতিয়াৰ পৰা বছৰে বছৰে খোদাবক্‌চ এবাৰ আমাৰ গোসায়ে শিচ ফুৰাদি ফুৰিবলৈ আহে। দিব পৰাৰ পৰা ১০টকা ২০ টকা আৰু দিব নোৱাৰাৰ পৰা টকাটো আধলিটো আদায় কৰি নানা প্ৰকাৰ ভবিষ্যতৰ কথা কৈ গুচি যায়। এই হেন খোদাবক্‌চ এদিন ডাক্তৰৰ চৰাত বহি 'চাৰ্টিফিকেটৰ' বোজা মেলি অনৰ্গল বক্তৃতা চলাব ধৰিলে। কিছুপৰৰ পিছত ডাক্তৰে লাহেকৈ কলে "জোনাব! জানেইতো মোৰ ভাগ্য গণনা কৰাবৰ কোনো নাই; আপুনি অন্তৰ্য্যামী। গতিকে মোক লই বিশেষ মেহনৎ কৰিব নালাগে। কিন্তু মোৰ এটা প্ৰশ্ন আছে; ভালকৈ গণিপিটি চাই কওক, আজি আপুনি মোৰ পৰা দক্ষিণা আদায় কৰিব পাৰিবনে নোৱাৰে।" প্ৰশ্ন শুনি খোদাবক্‌চ শিল খাই ঘৰিয়াল তল যোৱা যেন হল। মাত্ৰ—ইয়াকে কলে "এনে প্ৰশ্নৰ উত্তৰ কোনো

জ্যোতিষীয়ে দিব নোৱাৰে।" ডাক্তৰে মিচিকিয়াই হাঁহি কলে "কিয় আপুনিতো দুনিয়াখনৰে গণনা কৰি ভবিষ্যদ্বাণী কৰিব পাৰে, আজি নিজৰ বিষয়ে এইখিনি কওক চোন ১০ মিনিটৰ পিছত কি হব।" খোদাবক্‌চ্ প্ৰফেচাৰে প্ৰশংসা পত্ৰৰ বস্তা কোচাই বিনা বাক্যব্যয়ে আদাব দিলে। তাৰে পৰা তেওঁ শিচ ফুৰিবলৈ বৰকৈ আহা দেখা নগৈছিল।

সেই বাৰ ছৰ্দ্দা আইনৰ ভয়ত বিয়াৰ উজান উঠিছে। চণ্ডালৰ পৰা শূদ্ৰৰ ছোৱালীবোৰলৈ টুপটুপীয়া বৰ একোটি ওলাইছে কিন্তু ৰংপুৰীয়া অধ্যাপক দেউৰ কন্যালৈ বৰ নাই। দেশৰ মানুহৰ জ্ঞান নোহোৱা হলনে যে ধৰ্ম্মপ্ৰাণ অধ্যাপকৰ জাতি ৰক্ষা নপৰা হৈছে! কোনে জানো এই কুবুদ্ধি দিলে "ডাক্তৰৰ লৰা কলেজত পঢ়ে, পৰম নৈষ্ঠিক কনৌজৰ পৰা অহা ব্ৰাহ্মণ পৰিয়াল, এবাৰ সুধি নাচায় বা কিয়?" সনাতন ধৰ্ম্মনীতিৰ ওপৰত আইনৰ অত্যাচাৰ, তাতে আৰু হিন্দুৰে সহযোগ! আৰুনো আতি-গুৰি লবৰ সময় থাকেনে? বাপুই পোন খুণ্ডাই আহি ডাক্তৰৰ চৰাত উপস্থিত হল আৰু শ্লেষ্মাযুক্ত দীঘল গল খেকাৰণি মাৰি তেওঁৰ আগমনৰ জাননী দিলে। ডাক্তৰ আথে বেথে ওলাই আহি বহিব দিলে। বহাৰ লগে লগেই অধ্যাপকে দীঘল ভূমিকা মেলিব খোজা দেখি ডাক্তৰে খাটা খাটা দুই চাৰিটা কথাই দি উলিয়াই ললে যে তেওঁৰ কন্যাদায়, শুনিছে ডাক্তৰৰ বিবাহযোগ্য পুত্ৰ বৰ্ত্তমান, গতিকে দুখীয়া স্বজাতিৰ কুল ৰক্ষা কৰিব লাগে। তেওঁক পণ বুলি একোকে দিব নালাগে, মাত্ৰ গাওঁৰ লেঠা মাৰি কন্যাৰত্ন ফেৰি আনিব লাগে। গহনা পত্ৰ দুয়ো পক্ষই সাধ্য অনুসৰি যি হয় দিব। কথা শুনি বিস্ময় আৰু কৌতুক ডাক্তৰৰ কঠোৰ মুখ চকু ভেদি বিৰিঙি পৰিল। তেওঁ ব্ৰাহ্মণো নহয়, বিবাহিতো নহয়। অথচ তেওঁ পাতিব লাগে পুতেকৰ বিয়া! তথাপি ভেদ ভাঙি নিদি, অধ্যাপকক সুধিলে, "পিছে আপোনাৰ কন্যাৰ বয়স"? উত্তৰ আহিল "এই মাঘে মাঘে সাত, গৰ্ভৰ বছৰ ধৰি আঠ।" "অপৰাধ নলব, মোৰ মতে বিয়াবোৰ অলপ বেছি বয়সত হোৱাই দেখোন ভাল। আপুনি আৰু কেই বছৰমান বাট চাব নোৱাৰে জানো" বুলি ডাক্তৰে কবহে পালে অধ্যাপকে পৰম উৎকণ্ঠিত হৈ কৈ উঠিল "ৰাম, ৰাম! কয় কি? জানেই দেখোন 'ছৰ্দ্দাৰ আইন নেকি এইখন উলিয়াইছে। বহাগৰ ৩ তাৰিখৰ আগতে বিয়াখন পাতিব নোৱাৰিলে পিছত 'ছৰ্দ্দাৰ আইনৰ পালাত পৰিব লাগিব। এতিয়া আৰু আপোনা-তহে কথা।" "ডাক্তৰে মিচিকি কৰি হাঁহি মাৰি সুধিলে "বিয়াবিলাক যদি বহাগৰ ৩ তাৰিখৰ আগতে দি উঠে তেন্তে তাৰ পিছৰ পৰা আমাৰ এই উচ্চ জাতি কেইটাৰ বাবে ভবিষ্যতে বিয়াৰ প্ৰথাটো উঠিয়েই যাব। শ্ৰী বিষ্ণু তেনেহলে বৰ কলঙ্কৰ কথা হব। কি কৰিব খুজিছে আপোনালোকে?" অধ্যাপকৰ পেটে পেটে খঙ উঠিল। কিন্তু জাতি নাশৰ ভয়। কি কৰে। তথাপি কোমল ভাৱ দেখুৱাই কলে "শাস্ত্ৰতেই কৈছে—'কলৌ নাস্তেব্য নাস্তেব্য গতিৰন্যথা।' কলিত যি যুগধৰ্ম্ম হব তাৰ অন্যথা নহয়। পিছে আমাৰ দিন কেইটা আমাৰ মতে কটাই যাব পাৰিলে হয়, সেই বুলিহে আপোনাৰ দ্বাৰস্থ হোৱা।" ডাক্তৰে মূৰ দুপিয়াই সমৰ্থন কৰি কলে, "বোলো পুথিত নাপাইছেনে সত্যযুগ কলিৰ শেষত আৰু আহিব বুলি। এতিয়া মোৰ বিশ্বাস হৈছে সত্যযুগৰ আৰম্ভ হবই পায়। ছোৱালীবোৰে, ওৰণী বাঢ়নি এৰি বাটে পথে ওলাই ফুৰা হল, আৰু ছৰ্দ্দা আইনৰ ভয়ত আপোনালোকে বিবাহ প্ৰথাটোকে বন্ধ কৰিব ওলাইছে, সেই উদ্দালক মুনিৰ সময়ৰ অৱস্থা নহব বুলি ভাবিছেনে?" অধ্যাপক চঞ্চল হৈ উঠিল, শেষত কৈ পেলালে, "আপুনি ঠাট্টাই কৰিছে নেকি? মোৰ এটা কথা, হয় দান নহয় সমিধান। যি হয় কওক, মোৰ সময় কম। আজিৰ ভিতৰতে এটা ঠিক কৰি যাব লাগে।" ডাক্তৰে সহজ ভাৱে কলে "আপুনি ধৰ্ম্মজ্ঞ। মোৰ মতে যদি সকলো মৰে ময়ো চকু মুজিম লাগিলে, সেই বুলি এনে বিয়াত সন্মতি দিব নোৱাৰোঁ।" অধ্যাপকে লাহেকৈ উঠি, টকো টকো কৰি তাৰ পৰা আঁতৰিল।

ছৰ্দ্দা আইনৰ গ্ৰাহৰ পৰা সৰা বিয়া মানে, আপদত নিয়ম নাস্তি বিয়া। কোনো মতে বিয়াটো হব লাগে। দিন নাই ৰাতি নাই বিয়াহে বিয়া। কিন্তু হলেও ৰং

ধেমালিতো লাগে! সুবিধা বুজি নতুনত্ব লই আহিল ৰাধাকৃষ্ণৰ লীলাৰস দেখুৱা বঙালী যাত্ৰাৰ দল এটা। তৎক্ষণাত প্ৰবাসী বঙালী সকলৰ সহযোগিতাত আৰু চাৰ্টিফিকেটত, দুখীয়া সুখীয়া সকলোৰে ঘৰে ঘৰে বিয়া উপলক্ষ কৰি ৰাধাকৃষ্ণৰ, জটীলা কুটীলা আৰু আয়াণ ঘোষ আদি সংশ্লিষ্ট লীলা খেলাবিলাক, অভিনয় গীত বাদ্য আদিৰ সহায়েৰে অসমীয়া ভক্ত ভক্তেনীসকলৰ অন্তৰত গাজি দিয়াৰ ব্যৱস্থা চলিব ধৰিলে। লগে লগে নগৰীয়া, গাৱলীয়া, ইস্কুলীয়া ডেকাবিলাকৰ, মুখে মুখে সেই গানৰ অনুকৰণ চলিব ধৰিলে। এই সময়ত এদিন ডাক্তৰ আহিছে তেওঁৰ ফাৰ্ম্মাচীৰ পৰা চাইকেলেদি। বাটত লগ পালে এজোৰা মণিপুৰীয়া গান। ৪ জন মৰদ মানুহ আৰু দুই জনী ছোৱালী। ডাক্তৰে লৰালৰিকৈ সুধিলে, "তোমালোকে গান কৰিবা?" এজনে কলে "হয় বায়না পালে কৰোঁ।" ডাক্তৰে কলে "বাৰু মই বায়না দিম, ক'ত থাকা তোমালোক?" মানুহজনে কলে, "থকাৰ ঠিক নাই আহি পাইছোহে এতিয়াই" ডাক্তৰে কলে, "তেনেহলে ব'লা মই ঠিক কৰি দিম থকাৰ, এই আলিৰ মূৰতে অলপ দক্ষিণ ফালে মোৰ ঘৰ" ডাক্তৰ আগবাঢ়ি আহিল। সিহঁতেও মণিপুৰীতে কিবা কোৱা মেলা কৰি অলপ সময় পিছত ডাক্তৰৰ ঘৰত উপস্থিত হল। তাৰ পাছ দিনা ডাক্তৰে তেওঁৰ ঘৰৰ আগত এখন চান্দক টানি, আৰ কাপোৰ দি সুন্দৰ মজলিছ তৈয়াৰ কৰাই মণিপুৰী নাচৰ ব্যৱস্থা কৰিলে। তালৈ সকলো ভদ্ৰলোকৰে নিমন্ত্ৰণ হল। নাচ গানৰ মাজতে মৃদু জলপানৰ দিহাও থাকিল। প্ৰায় ৯মান বজাত গান আৰম্ভ হল। হিন্দী, অসমীয়া আৰু মণিপুৰী ভাষাৰ গানেই চলিল। ডাক্তৰৰ বিশেষ উৎসাহ দেখা গল— নিমন্ত্ৰিত সকলৰ অভ্যৰ্থনাত আৰু ললিত কলা হিচাবে এই নাচ গানৰ পৰীক্ষা কৰি তাক উপভোগ কৰাত। ডাক্তৰী বিদ্যাৰ হাড়-মূৰ, 'মেটিৰিয়া মেডিকাৰ' ব্যৱস্থাপত্ৰ আদিৰ মাজত যে তেওঁৰ ভিতৰত এই খিনি ৰস লুকাই আছিল, ইমান দিনে কেৱে বুজি পোৱা নাছিল। নাচৰ ভঙ্গীৰ কোন খিনিত, কোনটি মুদ্ৰাত কোন অঙ্গৰ কোনটি সঞ্চালনত, কেনে কি ভাৱ প্ৰকাশ পাইছিল, নৰ্ত্তকীৰ কোন খিনি লয় লাস কালিদাসে ক'ত কেনেকৈ বৰ্ণাই গৈছে ইত্যাদি কথাৰ অবতাৰণাত, ডাঙৰীয়াসকলে ভাৱি ললে, ডাক্তৰৰ কলাজ্ঞান কিমান গভীৰ। সিদিনালৈ ৰাতি ২মান বজাত গান বন্ধ কৰা গল। পাছ দিনা নগৰৰ সকলো গণ্য মান্যৰে মুখত এই মণিপুৰী জোৰৰ সুখ্যাতি ওলাই পৰিল। পাছ দিনাৰ পৰা ডাক্তৰে তেওঁৰ ঘৰৰ আগত ডাঙৰ কৰি ছানিমাৰা দিবৰ দিহা কৰিলে। তাৰ পাছ দিনা এঘৰৰ বিয়া উপলক্ষে কৃষ্ণলীলা হোৱাৰ কথা। দুপৰীয়াতে ডাক্তৰে তেওঁৰ তাত মণিপুৰী নাচ হোৱাৰ জাননী দি, সৰ্ব্বসাধাৰণৰ তালৈকে নিমন্ত্ৰণ দিলে। মানুহে প্ৰথমে অবিশ্বাসেই কৰিছিল, কিন্তু পৰৰ পয়চাৰ ওপৰত নাচ গান উপভোগ কৰাৰ লোভে টানি আনিলে। বিশেষ কৰি নগৰৰ কেৰাণী-মহৰী, উকীল আদি সকলোৱে ভাল বুলিছে যেতিয়া নগৈ থাকিব পাৰিনে? তাৰ ওপৰত লাগ বোলাত মুঠাই মুঠাই বিড়ী দলিয়াই দিছে, পাৰা মানে খোৱা, নোৱাৰিলে জেপত ভৰাই লোৱা। শৰাইত তামোল পান ভৰি আছে, গৰম মছলা লগাই খোৱা, কোনো আজহ নাই। নগৰৰ যিমানবিলাক গানৰ মজলিছ আদিৰ চিৰস্থায়ী চমজদাৰ আছিল প্ৰায় সকলো তাতে উপস্থিত। কৃষ্ণলীলা চায় কোনে? সেই দিনা আছিল সিহতৰ 'নেমাই সন্যাস' নে কি এটা পালা। ৫০ জন মান দৰ্শক উপস্থিত হৈছিল। শেষত গৃহস্থ হতাশ হৈ আধা মানতে যাত্ৰা বন্ধ কৰি দিয়ালে। কিন্তু টকাৰ বেলিকা যেতিয়া গৃহস্থই আধা টকা দিব খুজিলে, তেতিয়া লাগিল মহা গণ্ডগোল। যাত্ৰাৰ দলে যে বায়নাৰ টকা লওঁতে গৃহস্থৰ পৰা যাত্ৰা হক নহক পূৰা টকা দিব লাগিব বুলি লেখা কাকত এখনত চহী কৰাই লৈছে, ভোদাইতে বুজিবই পৰা নাছিল। পূৰা টকা দিহে নিস্কৃতি পালে। এই ঘটনাই আৰু 'গিৰমিট' খনে কৃষ্ণ লীলাটো মানুহৰ অপ্ৰিয় কৰি তুলিলে, তাৰ ওপৰত যদিও কোনোবাই কৃষ্ণলীলা পাতে, সিদিনাই ডাক্তৰে নাচ গানৰ মজলিছ পাতি দিয়ে। কৃষ্ণলীলা চাওঁতা প্ৰায় নোহোৱাই হয়। শেষত এই হল যে এদিন, এই জাতিৰ মানুহৰ চিৰদিনীয়া অভ্যাস, অসমীয়াক অম্ল মধুৰ গালি পাৰি পাৰি, ভাটীৰ

ৰেলত টিকট কাটিলে। যাওঁতে অৱশ্যে প্ৰত্যেকে সাধ্য অনুসৰি টোপোলা-টুপুলি বান্ধি ভোলা বেঙেনা, সোণতৰা টেঙা, কাৰৈ মাছ আদি তিনি টকালি মাৰি খাই লুষ্টু পুষ্টু হবলৈ লৈ গল।

ইয়াৰ পিছতে আহিল দৌলযাত্ৰা। ডাক্তৰৰ পৰা মণিপুৰী হতে বহুটকা পাইছে। সিহতে অন্য ক'তোই গান কৰা নাই, তেওঁৰ ঘৰৰ বাহিৰে। সিহঁতে ডাক্তৰক ধৰিলে দৌল উপলক্ষে তেওঁক গান শুনাব। তেওঁৰ চৰা ঘৰৰ ভিতৰতে আয়োজন হল। দুই চাৰি জন বন্ধু বান্ধৱ নিমন্ত্ৰিত হল। নাচৰ মাজতে তেওঁৰ কোনো বন্ধুৰ গুপ্ত পৰামৰ্শ মতে এটা চকত কিছুমান এচেঞ্চ সনা ফাকু আহি উপস্থিত হল। সকলোৱে চক খাই উঠিল, ডাক্তৰেও 'এইবোৰ কি? সৰ্ব্বনাশ!' বুলি শিয়ৰি উঠিল। কিছু পৰৰ পিছত এজন চৌখীন নিমন্ত্ৰিতে লাহেকৈ এমুঠি ফাকু নাচি থকা ছোৱালী এজনীৰ গালৈ মাৰি দিলে, আৰু তেওঁৰ ইঙ্গিতত ছোৱালীজনীয়ে ডাক্তৰৰ গাত পৰাকৈ এমুঠি ফাকু নাচৰ ছলতে মাৰি পঠিয়ালে। তেওঁৰ বগা কাপোৰ ৰঙা পৰি গল। সকলোৱে হাঁহি উঠিল, ডাক্তৰেও অলপ হাঁহি তলমুৱা হল। লগে লগে দৰ্শক সকলৰ মূৰত নৰ্ত্তকী দুজনী আহি এমুঠা এমুঠা ফাকু সানি দিলে। তাতেই ডাক্তৰে ছোৱালী দুজনীক ওচৰৰ পৰা দেখিবৰ সুবিধা হল। তেওঁ দেখিলে এজনী ছোৱালীৰ বয়স অতি কম, কিন্তু অতি দুৰ্ব্বল। গাত তেজৰ সাঁচেই নাই, চকু বহি যোৱা। মাত্ৰ কাপোৰ-কানি, অলঙ্কাৰ আৰু অঙ্গৰাগৰ বলত হে মানুহৰ আকৃতি ধৰি আছে। কিন্তু এই শৰীৰ লৈয়েই বেচেৰীয়ে নাচিছে, গাইছে, হাঁহিছে, যেন এয়েই স্বাভাৱিক অৱস্থা। প্ৰায় একমান বজাত সকলোৱে হাঁহি মুখে বিদায় ললে, ডাক্তৰ কিন্তু বৰ গম্ভীৰ হৈ ৰল।

পাচ দিনা ডাক্তৰে ওস্তাদৰ লগত কম বয়সীয়া ছোৱালী জনীক তেওঁৰ চৰালৈ মাতি আনিলে। বহুবাৰ পৰীক্ষাৰ পিছত সিহঁতক বুজাই কলে যে, ছোৱালীজনীক কিছুদিন জিৰণি দি ভালকৈ চিকিৎসা কৰিব লাগে, নতুবা এই ভাৱে চলিলে যক্ষ্মা ৰোগ হব পাৰে; তেতিয়া আৰু কোনো উপায় নাথাকিব। ওস্তাদে জনালে "নাচ গান নকৰিলেতো দিন চলা টান হব। এই ছোৱালীজনীৰ নিজৰ মানুহ কোনোৱে নাই যে এনেকৈ তত্ত্বাৱধান কৰিব।" ছোৱালীজনীয়ে বেঞ্চি এখনত বহি ভয়াৰ্ত্ত চকুৰে দুয়োৰে কথা বাৰ্ত্তা শুনি আছিল। ডাক্তৰে কলে, "মই বেছি কথা খৰচ নকৰোঁ! টকাৰ খৰচ যি হয় মোৰ। এই ছোৱালীজনীক পুৰীত থৈ চিকিৎসা কৰিব লাগিব। তোমালোকে আজিয়েই পাৰিলে ওলোৱা, মই সকলো ঠিক কৰি দিম পলম কৰা ভাল নহয়" ওস্তাদে অলপ কেকোৰ গেথোৰ কৰিছিল কিন্তু ডাক্তৰে যেতিয়া জগন্নাথৰ তীৰ্থ দিনে দেখা পাব বুলি উৎসাহ দিলে, আৰু লগৰীয়া হঁতৰ আপত্তিত হুলা ডাবি ধৰিলে তেতিয়া সকলো কথাৰ ওৰ পৰিল। সেই দিনাৰ ডাক গাৰীত ওস্তাদ, ছোৱালী জনী, আৰু ডাক্তৰৰ বিশ্বাসী চাকৰ এজন পুৰী অভিমুখে যাত্ৰা কৰিলে। ডাক্তৰে তেওঁৰ চিনাকি যক্ষ্মা ৰোগৰ বিশেষজ্ঞ মাদ্ৰাজী ডাক্তৰ এজনলৈ টেলিগ্ৰাম কৰি দিলে সিহতক ষ্টেশ্যনৰ পৰা লৈ যাবলৈ। পাছ দিনা প্ৰত্যেক তাচ আৰু পাশাৰ আড্ডা, চাহৰ খোলা, উকীলৰ চৰা, দোকানৰ আগৰ বেঞ্চিত, আৰু যতে দুজন ভদ্ৰলোক জমা হৈছে ততে ডাক্তৰৰ কথা! "তেওঁ বোলে অবিবাহিত হে কিবা। এতিয়া নাচনীলৈ দৰদ চোৱা।" "ইয়াকেই বোলে পাক্কা ভণ্ডানন্দ স্বামী!" "এইবিলাক মায়াবীৰ তুলনাত ধন্য আমাৰ গৃহস্থী ধৰ্ম্ম! টকাই আচল কথা। উপাৰ্জ্জন দামাদামি, অথচ খৰচ নাই; সেয়ে এইবিলাক মজা কৰিব পৰিছে। আমিও পাৰিলো হয়, পিছে কি কৰিবা, ৩০ বছৰতে হলো ৪টি লৰা ৬ জনী ছোৱালীৰ বাপেক। চুহি সকলো ৰস নোহোৱা কৰিলে।"—হুঃ। বুলি দীঘল হুমুনিয়াহ। "বৰলোক বোলাবলৈ বলিয়াটোৱে তাকেহে পালেনে? তাতকৈ ১২ নং ওৱাৰ্ডত মিউনিচিপাল কমিচনাৰ হব নাহিল কিয় মোৰ বিৰুদ্ধে? মজাটো উলিয়াই দিলো হয় হেঁঃ হেঁঃ!" "আমাৰ Mr. Calvert অৰ দৰে S. D. O. আজি থকা হলে ময়েই Kidnapping অৰ charge আনি 'বৰমানসী' বাহিৰ কৰি দিলোঁ হয়।" ডাক্তৰে আজি ইজনৰ পৰা কালি সিজনৰ পৰা এনেকৈ ক'ত কোনে কি আলোচনা কৰিছিল সকলো

শুনিলে। প্ৰথম দিনা হাঁহি উবাই দিলে। দ্বিতীয় দিনা গম্ভীৰ হল, শেষৰ দিনা মুখ বিৰবাই কৈ উঠিল—"অন্তে কয় শুনিব পাৰো কিন্তু এই ভদ্ৰলোক সাজ লোৱা কেইটাৰ কথা শুনিলে গা বেজ্ বেজ্ কৰে,। মই যানিবা বেয়াই কিন্তু এই সোণা আলোচনা কৰাতকৈ ভাল কথা আলোচনা কৰিওতো সমাজৰ উপকাৰ কৰিব পাৰি! কি কামটো কৰিছে এইবোৰে? ও পোছাকতহে ভদ্ৰলোক ভিতৰখন সেই! এদিন যদি পাহৰিও ভাল আলোচনা এটা কৰে! কেৱল তল খুচৰীয়া মেল! অঁ হবতো মোৰ নাচনীলৈ দবদ! মোৰ কি আছেহে? মই এজনী কিয় দহজনী নৰ্ত্তকী পুহিম। তেওঁলোক সাধু চৰিত্ৰৱান হৈ উঠাৰ কৰিছে, মোৰ বাবেহে যি অলপ মান বাকী আছে। ই খেদালো চিকিৎসা কৰিব এই ভাৱি যে, এই বাবু ভায়া হতবে মনোৰঞ্জনৰ উপকৰণ এইবিলাক, অথচ মৰম চকুৰে কোনেও নাচায়। তাতে মোৰ ওপৰত দা লাগিল। উহু! নাই! নাই! ইংবেজ বজা হৈ আমাৰ বহুত অন্যায় হৈছে। ইয়াত হব লাগিছিল আহোম ৰাজত্ব! তেহে কথাই পতি চামটাৰ কোৰ, আৰু বেৰপেটীত শালাৰ ব্যৱস্থা হল হয় ইহতৰ বাবে।

এনেকুৱাই আছিল মানুহজন! বোধহয় এতিয়াও তেওঁ জীয়াই আছে, কিন্তু কি অৱস্থাত এয়া নাজানো।

গীত

—শ্ৰীযুত পাৰ্তিপ্ৰসাদ বৰুৱা

নীৰৱ কিয় টোকাৰী তোৰ
অ' ৰবাগী?
অচল দেখোঁ নাওখনি তোৰ
কূল তিয়াগি!

টোকাৰী তোৰ বিছিলে ঘুনে,
এগছ মাথো জৰী,
সপ্ত-সুৰৰ জোঁকাৰ দিয়
সেই গছিতে ধৰি!

নাওখনি তোৰ নিচেই সৰু
নময় জীৱন ভাৰ,
সাত সাগৰ তই ভগা নাৱত
হ'ব খোজ পাৰ।

ছিগিল জৰী, বুবিল তৰী,
কঁপনি লাগি!
চকু মেলি সপোন দেখাৰ
ভাগিল নে বাগী?

অসম বিশ্ব-বিদ্যালয়ৰ দিনত



শুৱাহাটীত অসম বিশ্ব-বিদ্যালয় দিনৰ শোভাযাত্ৰা



অসম বিশ্ব-বিদ্যালয় দিনত নগাওঁত এটি হাতী, দুদল বেণ্ড পাৰ্টি আৰু প্ৰায় ছহেজাৰ মানুহৰ শোভাযাত্ৰা।



নগাওঁ নগৰৰ বিশ্ব-বিদ্যালয় দিনৰ শোভাযাত্ৰাৰ আন এটি দৃশ্য।

অসমত চেনি শিল্প

—শ্ৰীযুত চিদানন্দ দাস

উজনি অসমত এটা প্ৰবাদ আছে—"আবৰে চেনি খাবলৈ পালে নেৰে," আৰু সঁচাকৈয়ে আমি অকঁৰা আৰু অসভ্য আবৰহঁতৰ দৰে সোৱাদ পাই কেৱল চেনিকেহে খাই আছোঁ ; কিন্তু চেনি যে আমাৰ দেশৰ মাটিৰ তলতে পোত খাই আছে আৰু অলপ যত্ন কৰিলেই যে আমি অপৰ্য্যাপ্ত পৰিমাণে চেনি উলিয়াই বিদেশলৈকো পঠাব পাৰোঁ, তালৈ আমি মনকে কৰা নাই। আগেয়ে অকল অসমীয়াই কিয়, ভাৰতত বহু মানুহে প্ৰায় সকলো খাদ্যতে গুৰহে খাইছিল। এতিয়া কিন্তু চাহত চেনি, গাখীৰত চেনি, ভাতত চেনি, আৰু অন্যান্য বহু খোৱা বস্তুৰ লগত ব্যৱহাৰ কৰে মাত্ৰ চেনি। সেই কাৰণে অসমীয়া খেতিয়কে আগৰ দৰে বেছি পৰিমাণে কুহিয়াঁৰ খেতি আৰু গুৰ তৈয়াৰ কৰিবলৈ এৰি দিছে। এই চেনি যেতিয়া অসমীয়াৰ নিত্য প্ৰয়োজনীয় বস্তু হৈ পৰিছে, চেনি ক'ৰ পৰা আহে, আৰু তাৰ সলনি অসমে কিমান টকা বিদেশীক দিয়ে ; আৰু সেই হেতু অসমৰ আৰ্থিক অৱস্থা কেনেকৈ দিনক দিনে হীন হৈ আহিবলৈ ধৰিছে, তাক প্ৰতিজন শিক্ষিত অসমীয়াই বিশেষকৈ দেশৰ গুৰিয়ালসকলে ভাবিব লগীয়া হৈ পৰিছে। ভাৰতত যুক্ত প্ৰদেশৰ মানুহে চেনিৰ কাৰখানা বহুৱাই প্ৰচুৰ পৰিমাণে কুহিয়াঁৰৰ খেতি কৰি, তাৰ পৰা গুৰ চেনি আৰু লালীৰ পৰা স্পিৰিট উলিয়াই কিমান কৌটি কৌটি টকা আয় কৰিছে, ভাৰতৰ সকলো শিক্ষিত লোকেই জানে।

অসমত যতে ততে কুহিয়াঁৰ খেতি হয়। কিন্তু এই খেতি জাতীয় ব্যৱসায় হিচাবে কৰি জাতিৰ আৰ্থিক অৱস্থা কিছুপৰিমাণে উন্নত কৰিব পাৰিনে নোৱাৰি তাৰ চেষ্টা কৰা আজিলৈকে হোৱা নাই। যদিও এবাৰ হৈছিল সেই সময়ত বিদেশী চেনিৰ প্ৰভাৱ ইমান বেছি আছিল যে, তাৰ লগত ফেৰ মৰা কোনো প্ৰকাৰেই সহজ সাধ্য নাছিল, ভাৰত গৱৰ্ণমেণ্টে ভাৰতৰ চেনি শিল্প ৰক্ষা কৰিবৰ কাৰণে বিদেশী চেনিৰ ওপৰত ১৮৯৯ চনত যি আমদানী শুল্ক বহুৱাইছিল, সেই সুবিধাতে যদিও যুক্ত প্ৰদেশে চেনিৰ ব্যৱসায়ত বহুত ছল লগাই ললে তত্ৰাচ অসমৰ কাৰণে সেই সংৰক্ষণ বা আমদানী শুল্ক সিমান সুবিধাজনক নাছিল। তাৰ উপৰিও সেই সময়ত অসমীয়া মানুহৰ চেনি ব্যৱসায়ৰ প্ৰতি সিমান মনোযোগো আকৰ্ষণ কৰা নাছিল। কিন্তু এতিয়া বিদেশী চেনিৰ ওপৰত ভাৰত গৱৰ্ণমেণ্টে প্ৰতি হন্দৰত ৯.০ অনাকৈ শুল্ক বহুৱাইছে আৰু এই সুবিধা লৈ পঞ্জাব, মাদ্ৰাজ, বঙ্গদেশ আৰু যুক্ত প্ৰদেশৰ ব্যৱসায়ী সকলে চেনিৰ কাৰখানা বহুৱাই শিল্পৰ উন্নতি কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিছে, আৰু দেশৰ সৰ্ব্বসাধাৰণে পাৰেমানে সাহায্যও কৰিছে। চেনি শিল্পৰ কাৰণে যদিও অসমত ভালেমান প্ৰাকৃতিক সুবিধা আছে, কিন্তু সেইবুলি জন সমাজৰ উৎসাহ নেপালে, যথেষ্ট টকা আৰু কাৰ্য্যকাৰক নহলে চেনি শিল্পৰ প্ৰতিষ্ঠান হৈ উঠা সম্ভৱপৰ নহয়। সকলোৰে ওপৰত গৱৰ্ণমেণ্টৰ সাহায্য বিশেষৰূপে আৱশ্যক। যি হওক, এতিয়া অসমীয়াই জানি শুনিও নিজৰ টকা বিদেশীক দি জাতিক হত্যা কৰিবলৈ যোৱা উচিত নহয়। অকল চেনিতেই নহয়, আৰু বহু বস্তুৰ কাৰণেও অসমে বছৰে বছৰে কৌটী কৌটী টকা বিদেশলৈ পঠায়। অকল চেনিতেই পঠাই প্ৰায় এক কৌটী। সদৌ ভাৰতে কেইবছৰ মানৰ আগতে প্ৰায় ২৫ কৌটী টকাৰ চেনি বিদেশৰ পৰা কিনিছিল।

সিংহক যিমানেই খাবলৈ দিয়া, লোহাৰ পিঞ্জৰেই তাৰ সকলো শক্তি কোঙা কৰি থয়। সেইদৰে এটা জাতিয়ে অন্য এটা জাতিক যুদ্ধত হৰুৱাই, যদি সেই জাতিৰ আৰ্থিক বল হ্ৰাস কৰিব নোৱাঁৰে, কোনো ক্ৰমেই সেই জাতিক অধিক সময় বশ কৰি থব নোৱাঁৰে।

ইংলণ্ডই কিস্তি কিস্তি কৰি যি স্বাধীনতা ভাৰতক দিম বুলি আলোচনা কৰিছে, সকলো কিস্তি দিলেও অৰ্থশাসন কিস্তিটো দিয়া টান,—দিলেও সকলোৰে শেষত। ইফালে যদি আজি ইংলণ্ডই ভাৰতৰ অৰ্থশাসনটো হঠাৎ এৰি দিব লগীয়াত পৰে এক মুহূৰ্ত্ত কালো ভাৰতত আধিপাত্য কৰিবলৈ ইচ্ছা নকৰিব। এই অৰ্থ বলতেই ভাৰতে এদিন জগতক অবাক কৰি তুলিছিল। এই অৰ্থ ভাণ্ডাৰৰ ওপৰত কৰ্ত্তৃত্ব আছিল বুলিয়েই—ব্ৰাহ্মণে ভাৰতত জাতিভেদৰ বেহু ৰচনা কৰিব পাৰিছিল আৰু এই অৰ্থ দুৰ্গ পৰহস্ত হয় বুলিয়েই, এক জাতিৰ ব্যৱসায়ীক অন্য জাতিৰ ব্যৱসায়ত লিপ্ত হবলৈ কঠোৰ বিধানৰ দ্বাৰা বাধা দিয়া হৈছিল। এই অৰ্থ সম্পদৰ লোভতেই বাৰে বাৰে বিদেশী শত্ৰুয়ে ভাৰত আক্ৰমণ কৰিবলৈ আহিছিল। যেতিয়াৰ পৰা ভাৰত পৰাধীন হ'ল, যেতিয়াৰ পৰা ভাৰতৰ শিল্প বিজ্ঞান ধ্বংস হল, তেতিয়াৰ পৰা ভাৰতে কৌটী কৌটী টকাৰ মাল-বস্তু বিদেশৰ পৰা কিনি অৰ্থ বল ক্ষয় কৰি আহিবলৈ ধৰিলে। কেৱল ১৯২৯ চনতেই ভাৰতে ৫৭৮ কৌটী টকাৰ মাল-বস্তু বিদেশৰ পৰা কিনে। কিন্তু ১৯৩০ চনৰ পৰা বাণিজ্যৰ অৱনতি ঘটাত এই টকাৰ পৰিমাণ বহু কমি গৈছে। যি হওক, সাধাৰণতে গড়েপ্ৰতি প্ৰায় ২৫০ কৌটী টকাৰ মাল-বস্তু ভাৰতে বছৰে বছৰে বিদেশৰ পৰা কিনে। এই ২৫০ কৌটীৰ সম্ভৱতঃ ১০।১২ কৌটী টকাৰ মাল বস্তু অসমলৈ আহে, বা ১০।১২ কৌটী টকা অসমে সেইবিলাক দেশলৈ পঠায়। তাৰ বাহিৰেও, ভাৰতৰ অন্যান্য দেশত উৎপন্ন হোৱা আৰু তৈয়াৰ কৰা বহু ব্যৱহাৰীয় দ্ৰব্য অসমলৈ আহে। তাৰ কাৰণেও অসমে সেইবিলাক দেশলৈ অন্ততঃ ৪।৫ কৌটী টকা বছৰে পঠায়। তাৰ ওপৰতো জাহাজ ভাড়া, ৰেইল ভাড়া, চাৰ্কাচ, বায়স্কোপ, বাইনাচ, লটাৰী খেলা, পুথিপাজি আৰু খবৰ কাগজ ইত্যাদি বিষয়তো ভালেমান টকা অসমীয়াই হাঁহি হাঁহি বিদেশীক সোধায়। এদিন সতী জয়মতীয়ে নিজৰ স্বামীৰ সম্বাদৰ সলনি অমানুষিক অত্যাচাৰ নীৰৱে সহ্য কৰিছিল, কিন্তু আজি অসমীয়াই জাতীয় জীৱন আৰু সম্মানৰ ঘাগৰিটো হাঁহি হাঁহি বিদেশী বেপাৰীক এৰি দিছে।

অৱশ্যে চাহ, লো, কপাহ, কাঠ, এৰি, মুগা লা, মৰাপাট আদি শস্য সামগ্ৰীৰ পৰা বহুটকা অসমে বিদেশৰ পৰা পায়। কিন্তু বিদেশলৈ যোৱা টকাৰ তুলনাত এই আমদানী নিচেই কম। কয়লা, কেৰাচিন, পেট্ৰোল আদি খনিজ বস্তুৰ কাৰণে যি টকা অসমলৈ আহে, সেই টকা বিদেশী কোম্পানীৰ বিদেশী গৰাকীসকলে পুনৰ বিদেশলৈকে নিয়ে। অসম দেশ ইংৰাজৰ হাতলৈ যোৱা অবধি এইদৰে কিমান কোটি টকা যে অসমৰ পৰা বিদেশলৈ গৈ আছে, তাৰ হিচাব কৰাটোও সম্ভৱপৰ নহয় যেন লাগে।

যি হওক এতিয়া আমি এনে ভয় লগা অৱস্থাত পৰিছোঁহি যে এইবিলাক দৈনিক আৰু জাতীয় প্ৰয়োজনীয় বস্তু নিজে নিজে তৈয়াৰ কৰি লবলৈ যত্ন নকৰিলে—অকল নাম ঘৰ নাম কীৰ্ত্তনে, বৰসবাহ বৰভোজে, বিহু উৎসৱ বা তিথি মহোৎসৱে সামাজিক ৰীতি-নীতি বা বাদ-বিচাৰে সকলোৱে এক যোগ হৈও অসমীয়া জাতিক ৰক্ষা কৰিব নোৱাঁৰিব। হিন্দুৰ জাতি বিভাগৰ পৰিণাম আৰু অন্যান্য সামাজিক বা ধৰ্ম্ম সম্বন্ধীয় ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰৰ জটীলতা আৰু বাহুল্যতাৰ ভবিষ্যৎ বুজিব পাৰি।—ৰাজা ৰামমোহন ৰায়ে কৈছিল—

—"The distinctions of castes introducing innumerable divisions and subdivisions among them has entirely deprived them of patriotic feeling and multitude of religious rites and ceremonies and laws of purification have totally disqualified them from undertaking any dificult undertaking"

ৰাজা ৰামমোহন ৰায়ৰ সমাজ তত্ত্ব বিচাৰৰ এই গভীৰ

সিদ্ধান্তক কোনো হিন্দুৱে খণ্ডন কৰিব নোৱাৰে আৰু অসমীয়া জাতিৰ কাৰণে ই হাৰে হাৰে সত্য। এনে অৱস্থাত সদৌ জাতিয়ে যেতিয়া এক মুঠ হৈ কাম কৰিব নোৱাৰে, দলে দলে অসমীয়াই গোট খাই, বেলেগ বেলেগ প্ৰতিষ্ঠান বা কোম্পানী খুলি বেলেগ বেলেগ ব্যৱহাৰ্য্য বস্তু নিজৰ দেশতে নিজে তৈয়াৰ কৰিবলৈ শিকিব লাগিব—আৰু সেই বেলেগ বেলেগ কোম্পানীক সদৌ জাতিয়ে অৰ্থ সাহায্যৰে সহানুভূতি দেখুৱাব লাগিব। নহলে অসমীয়াৰ সত্ৰ সভা, সাহিত্য, সমাজ—অইন কি জাতীয় অস্তিত্ব পৰ্য্যন্ত প্ৰকাণ্ড ভাৰতৰ প্ৰকাণ্ড জাগৰণত ধূলি-মাটি হৈ যাব। ওপৰত কৈ অহা সকলো বস্তু সদৌ জাতিয়ে গোট খালেও কোনো প্ৰকাৰে একে সময়তে কৰিব নোৱাৰে। সেই কাৰণে, যিটো বস্তু সহজ সাধ্য আৰু যিটো বস্তু তৈয়াৰ কৰিবলৈ আহিলা পাতি অলপ কম খৰচতে পাব পাৰি আৰু যিটো বস্তুৰ দ্বাৰা অলপ কম পৰিশ্ৰমতে অধিক টকা আহৰণ কৰিব পাৰি, সেইটো বা সেইবিলাক বস্তু তৈয়াৰ কৰিবলৈ যত্নবান হোৱা উচিত! ইয়াৰ ভিতৰত লোণ, কানি, মদ, ভাং আদি কিছুমান বস্তু গৱৰ্ণমেণ্টৰ নিজা সম্পত্তি। সেইবিলাক বস্তু আমি সদায় গৱৰ্ণমেণ্টৰ পৰাই কিনি থাকিব লাগিব। লোহা, চিচাঁ, কাঁহ, পিতল, আৰু অন্য ধাতু আৰু নানা প্ৰকাৰৰ খনিজ দ্ৰব্য, ঔষধ আৰু অসংখ্য লাগতিয়াল বস্তু-বাহানি বহু কাৰণত আমি এতিয়া কোনো প্ৰকাৰেই তৈয়াৰ কৰি লব নোৱাৰোঁ। অত এব, এই বিলাক বস্তুৰ কাৰণেও আমি বছৰে বছৰে বহুকোটি টকা বিদেশলৈ পঠাই থাকিবলৈ বাধ্য। এনে অৱস্থাত—অসমীয়াৰ কৰ্ত্তব্য কি?

পৃথিবীত এনে এটা জাতি ওপজা নাই, যি জাতিয়ে ব্যৱসায় বাণিজ্য নকৰাকৈ—অকল ধৰ্ম্ম চৰ্চ্চা বা সমাজ বান্ধনিৰ সহায়ত জাতি বা ব্যক্তিগত স্বাৰ্থ আৰু সন্মান ৰক্ষা কৰিব পাৰিছে। আজি অসমীয়াই প্ৰধানকৈ ভৰ দিছে জাতীয় সাহিত্যত; কিন্তু সাহিত্যৰ মাতৃগৰ্ভ যে জাতিৰ আৰ্থিক সম্বল, তাক ভুল কৰা অসম্ভৱ। সাহিত্য, জাতীয় আৰ্থিক অৱনতিৰ ওচৰত হতবম্ব। সেই বুলি সাহিত্য চৰ্চ্চা কোনো প্ৰকাৰেই পৰিত্যাগ কৰিব নোৱাৰি। যি জাতি যিমান দুৰ্ব্বল আৰু দৰিদ্ৰ, সেই জাতিৰ মাজত অশিক্ষা, কুসংস্কাৰ আৰু বাদ-বিসম্বাদ সিমান পৰিমাণে অধিক। আৰু যি জাতি যিমান অশিক্ষিত আৰু কুসংস্কাৰসপন্ন, সেই জাতিৰ মাজত ভেদভাৱ, সাম্প্ৰদায়িক বিভিন্নতা, মনুষ্যত্ব বিৰোধী সমাজ বান্ধনি আৰু একতা হীনতা সিমান পৰিমাণে সমধিক। এই দৰিদ্ৰতাই আৰু অশিক্ষাই কছ জাতিৰ জীৱন কেনেকৈ হাহাঁকাৰময় কৰি তুলিছিল। শুনিবলৈ গলে গাৰ লোম পৰ্য্যন্ত ডাল ডাল হৈ উঠে। দৰিদ্ৰতা আৰু আভিজাত্যৰ নিষ্পেষণত কছিয়াদেশত মানুহৰ চৰিত্ৰ কি কঠোৰ হৈ পৰিছিল—এই কথাবোৰত উপলব্ধি কৰিব পাৰি:—Types have started into being which it is absolutely impossible to match; drunk, with disfigured feature, with wandering glance, covered with rags, they look like half tamed beasts and to be born a mooshik (peasant) in those days was to come into the world with a curse hanging over you—page 80-97—Russia to-day and yesterday".

জগতত কোনো জাতিয়ে কেতিয়াও জাতীয় আৰ্থিক অৱনতিক বুকত লৈ জাতীয় সাহিত্য ৰচনা কৰিব পৰা নাই। অসমীয়া সাহিত্যিক সকলে ইংৰাজী সাহিত্যৰ দোহাই দিয়ে; কিন্তু আজি ইংৰাজী সাহিত্যৰ যি প্ৰকাণ্ড সম্ভাৰ দেখা গৈছে সেই সম্ভাৰ বৃটিছ জাতিৰ জাতীয় উত্তাপ আৰু আৰ্থিক উন্নতিৰ সহনুবৰ্ত্তিনী মাত্ৰ। এই প্ৰসঙ্গতে লৰ্ড বাৰ্কেন হেড্ চাহাবৰ কথা ফাকি তুলি দিয়া অপ্ৰাসঙ্গিক নহব যেন লাগে—"Our country men (English men) are responsible for most of the basic inventions which followed the introductions of steam power to industry. Locomotives, steam ships, blast furnaces, power loomes and spinning machines were

all exploited in Britain before they were introduced abroad. Consequently for 30 years, our industrialists were able to steal a march on their foreign competitors in the markets of the world and until the outbreak of war in 1914 staunched the flow of British exports no rival could make good this handicap"—

ইফালে ভাৰতে যেতিয়া সেই কালৰ সভ্যজগতৰ জ্ঞান বুদ্ধি বোধ কৰিব পৰা সাহিত্য ৰচনা কৰিছিল, তেতিয়া ভাৰতৰ আৰ্থিক অৱস্থা জগতত আছিল অতুলনীয়। যি সময়ত কামৰূপীয় ভাষাই গোটেই পূৰ্ব্ব ভাৰতক চমক্ খুৱাইছিল—সেই সময়ত অসমীয়া জাতিৰ আৰ্থিক অৱস্থা আছিল ব্ৰহ্মপুত্ৰৰ স্ফীত বুকুৰ দৰে।

দৰিদ্ৰতাই মানুহৰ বুদ্ধি আৰু সাহ ধ্বংস কৰি গোটেই জাতিক পৰমুখাপেক্ষী কৰে। পৰমুখাপেক্ষী হলেই, আত্ম নিৰ্ভৰতা পাহৰি, মানুহ আত্ম সন্মানহীন হৈ পৰে। আত্ম সন্মান হীনতাই মানুহৰ অৱনত অৱস্থাৰ শেষ পৰিণাম। এই পৰিণামত পৰিলেই, মানুহ অবিশ্বাসী, প্ৰবঞ্চক, ভয়াতুৰ, নিৰুৎসাহী আৰু কিমান কি প্ৰকাৰৰ পশুস্বভাৱী হৈনো নপৰে! এই স্বভাৱত আজি অসমীয়া জাতি মূৰ্ত্তি মন্ত হৈ উঠিছে। সেই কাৰণেই আজি অসমীয়া জাতিক শ্ৰীশঙ্কৰৰ মনুষ্যত্বই, জয়মতীৰ নাৰীত্বই আৰু লাচিতৰ দেশ প্ৰেমৰ জলন্ত আদৰ্শ হৈয়ো উদ্বুদ্ধ কৰিব পৰা নাই! অসমীয়া জাতিৰ এই বোবা বেঙ্গা আৰু জড়ভাৱ প্ৰাপ্ত হোৱাৰ মূল কাৰণনো কি, তাক যদি আমি ধীৰভাৱে অনুসন্ধান কৰিবলৈ যাওঁ, উপস্থিত হমগৈ ৺মণিৰাম দেৱানৰ ফাঁচিত আৰু অসমীয়া গুৰু সকলৰ ধৰ্ম্ম শাসন কাৰ্য্যত স্বেচ্ছাচাৰিতা লাভ কৰাৰ মাতৃগৰ্ভ মহাৰাণী ভিক্টোৰীয়াৰ বিখ্যাত ঘোষণা পত্ৰত। মোগলৰ আক্ৰমণ, মানৰ অত্যাচাৰ, গৃহকন্দল আদিয়েও অসমীয়াৰ ককাল ভাঙ্গি গ'ল সঁচা, কিন্তু সেইবিলাক স্বাধীন জাতিৰ স্বাধীন বিপদ। প্ৰায় প্ৰত্যেক স্বাধীন জাতিয়েই তেনেকুৱা স্বাধীন জাতীয় বিপদৰ সন্মুখীন হব লগীয়াত পৰি গৈছে। কিন্তু সেইবিলাক স্বাধীন জাতীয় বিপদৰ লগত বৰ্ত্তমানে অসমীয়া জাতিৰ বোবা আৰু বেঙ্গা অৱস্থাৰ বিশেষ কোনো সম্বন্ধ ৰাখিব নোৱাৰি। বৃটীছ শাসনৰ অধীনলৈ অহাৰ সময়ৰ পৰা অসমীয়া জাতিৰ যি নতুন জাগৰণ আহিব লাগিছিল,—সেই জাগৰণ ধ্বংস কৰিলে। ৺মণিৰাম দেৱানৰ ফাঁচিয়ে আৰু আংশিকৰূপে মহাৰাণীৰ ঘোষণা পত্ৰই। ৺মণিৰাম দেৱানৰ ফাঁচিয়ে সেই কালৰ অসমীয়া ৰাজনীতিক আৰু অৰ্থনীতিক সকলক বোবা কৰি, সদৌ জাতিকেই মাত মাতিব নোৱাঁৰা কৰিলে।

আজি যি বৃটীছ শাসনত ভাৰতৰ প্ৰত্যেক জাতিয়েই মূৰ দাঙ্গি উঠিছে সেই বৃটীছ শাসনত অসমীয়াৰ পাছ হুহকি থকাৰ মূল ৰহস্য এয়েই। দ্বিতীয় ৰহস্য হৈছে—যি সময়ত বৃটীছে অসম অধিকাৰ কৰে সেই সময়ত অসম দেশ বৃটীছ ভাৰতৰ প্ৰধান প্ৰান্ত প্ৰদেশ (Frontier province) হিচাবে গণ্য হৈছিল আৰু সেই কাৰণে বৃটীছে গোটেই দেশৰ সৰ্ব্বময় শাসনভাৰ লোৱাৰ বিশেষ আৱশ্যকতাও আছিল। ইষ্টইণ্ডিয়া কোম্পানীয়ে বঙ্গদেশৰ অসংখ্য নবাব, জমিদাৰ সকলৰ লগত যি চুক্তি বা সন্ধি পত্ৰ কৰি আহি শেষত ভাঙ্গিব নোৱাৰাত পৰিল,—সেই কাৰণে অসমত অসমৰ কোনো ৰাজপৰিয়ালৰ কোনো দাবী উত্থাপনো বোধ হয় নহল আৰু ৺মণিৰাম দেৱানৰ গোটেই দৰ্খাষ্টখনো বৃথাই গ'ল। তাৰ ফলতেই, অসম দেশখন সমতল নোহোৱা স্বত্বেও অসমীয়া সমাজ কিন্তু সমান হৈ পৰিল—আহোম ৰাজপৰিয়ালৰ ৰাজপুত্ৰ সকলৰো চিন চাব নাইকিয়া হ'ল। যিবা গুৰু গোসাঁই সকল থাকিল তেওঁ লোকে ৰাজনীতি আৰু অৰ্থনীতিক ধৰ্ম্মনীতিৰ বাহিৰা বনুৱা কৰি ললে। এই কাৰণেই আজি অসমৰ প্ৰতি সম্প্ৰদায় গুৰু গোসাঁই সকলৰ বিদ্ৰোহী হৈ উঠিছে,—যদিও এই বিদ্ৰোহৰ বহ্নি আজিও দাও দাও মূৰ্ত্তি ধৰা নাই

দৃষ্টান্তস্বৰূপে সিদিনা প্ৰায় এনেকুৱা কাৰণতেই আজি কছিয়া দেশৰ জনসাধাৰণে কি মূৰ্ত্তি ধাৰণ কৰিছে—এই কথা ফাঁকিত বুজিব পাৰি:—

"Even the church once beleived to be proof

against all attacks and built on the rock of ages, had no effective safegaurds in her arsenal against such unprecdeented temptations. Pious worshippers in the fold of Russian orthodoxy were won over miraculously as it might seem to be aggressive atheism. It was as though they had been waiting for the opportune hour, and when it struck, the gates were throw open and the floods carried them out to the shoreless ocean God and the Ssar who, together had determined the course of events in Russia for better or for worse ever since the days of Vladimir, had now to yeild their thrones to ahorde of plain men. Burning with unholy zeal for their own apostolic mission and animated with fervid faith in the saving doctrines of Marx and Eugels. From the schools the deity was banished."

এনে অৱস্থাত, অসমীয়া জাতিৰ আৰ্থিক অৱনতিটোক ভীম বেগে বোধ কৰাই হৈছে, অসমবাসীৰ গভীৰতম প্ৰশ্ন।

এই প্ৰশ্নৰ উত্তৰ হৈছে—ধনী আৰু ব্যৱসায়ীসকলে একোটা সুকীয়া অনুষ্ঠান পাতি বেলেগ ব্যৱসায় বা শিল্পৰ উন্নতি কৰিবলৈ যত্ন কৰাটো, আৰু যেতিয়াই দেশত যতে এনে একোটা অনুষ্ঠানৰ আয়োজন হ'ব দেশবাসীয়ে উৎসাহেৰে সাহায্য কৰাটো।

এই সূত্ৰতে ভাৰতৰ দৰিদ্ৰতা দূৰীকৰণাৰ্থে আৰ্থিক উন্নতিৰ যি পন্থা বাঞ্ছনীয় ভাৰত বিখ্যাত শ্ৰীযুত ঘণশ্যাম দাস বিৰলাই ১৯০৪ চনৰ এপ্ৰিল মাহত বহা 'Federation of Indian Chambers of commerce and Industry'ৰ বছৰেকীয়া অধিবেশনত যি এদাৰ মূল্যৱান কথা কৈছিল—ইয়াত তুলি দিয়া যেন লাগে—

"We cannot improve our lot until we decide to take mass action, well thought out, well planned, as part of a scheme of co-ordination launched with the necessary authority to make it a success. * * *

* * * * * * * *

The cooperation of the people with Government is essential to the success of any scheme. "এই দৰে গৱৰ্ণমেণ্টৰ লগত সহযোগে ব্যৱসায় কৰি চুইডেন দেশৰ অৱস্থা কেনেকৈ জগতজিলিকা হৈ আছিছে—তলৰ কথা ফাঁকিত বুজা যায় :—

"The export of timber and wood pulp that has been rendered possible thereby has been a factor of the utmost importance to our foreign trade and has deen largely responsible for the considerable rise in the general standard of living of the Swedish people that has taken place during the last generation."

দৃষ্টান্তস্বৰূপে, সিদিনা শ্ৰীশ্ৰীযুত আউনীআটী অধিকাৰে শাপেথাটী মাইনৰ স্কুলৰ কাৰণে ১০০০৲ টকা দান কৰিছে। এই দানৰ ভবিষ্যত গৌৰৱময়। এই দানে নিশ্চয় অন্যান্য ধনী গুৰু সকলৰ মনতো এটা ডাঙৰ উদগণিৰ ঢৌ তুলি দিছে। কিন্তু এইদৰে অন্যান্য প্ৰতিষ্ঠানতো দান দিবলৈ আউনী আটী অধিকাৰৰ অৰ্থ সম্বল ক'ত?

গুৰুসকলৰ কাৰণে যদিও বৈষয়িক বিষয়ত লিপ্ত হোৱাটো বৰ্ত্তমানে সমাজৰ আচাৰ বিৰোধী, কিন্তু বৈষয়িক বিষয়ৰ দ্বাৰা অৰ্থ সংগ্ৰহ কৰি, যদি সেই অৰ্থ নিজৰ স্বাৰ্থৰ কাৰণে ভোগ নকৰি দেশবাসীৰ দুখ দূৰ কৰা কাৰ্য্যত খৰচ কৰা হয়, নিশ্চয় গুৰুসকলৰ সম্মান আৰু বাঢ়িবৰ উচিত প্ৰত্যুত্তৰ দিয়া হব। তেতিয়া হলে, গুৰুসকলৰ আদৰ্শত অনুপ্ৰাণীত হৈ দেশবাসীসকলেও তেনেকুৱা কাৰ্য্যত যোগ দিবলৈ উৎসাহ আৰু উদগণি পাব। ইয়াত গুৰু সকলৰ দৃষ্টান্ত দিয়াৰ অৰ্থ এয়েই যে, দেশৰ শিক্ষিতসকলে সভাসমিতি পাতি দেশবাসীৰ মনত যি ভাৰ ওপজাব পাৰিব, এগৰাকী ধনী গুৰুৱে ওপৰত উদ্ধৃকিয়াই অহা এটা সাধাৰণ

দৃষ্টান্তৰে তাতোকৈ দহগুণে দেশবাসীৰ মন উতলাব পাৰিব। এই শক্তি অসমীয়া গুৰুসকলৰ এতিয়াও যথেষ্ট পৰিমাণে আছে। আজি যদি অসমীয়া গুৰুসকলে মনে মনে কেওঁলোকৰ লুপ্ত গৌৰৱ উদ্ধাৰ কৰিবলৈ কিবা হাবিয়াস কৰিছে, তেন্তে তেওঁলোকৰ অতীতৰ সত্ৰীয়া সংক্ৰান্ত ভেদাভেদ জাতিকুলৰ সাধাৰণ বাদ-বিচাৰ ভবিৰে গছকি ৰখলো সত্ৰাধিকাৰে গোটখাই,—জাতীয় জীৱনদায়ক এটা অৰ্থগ্ৰাহিক কাৰ্য্যপন্থা অবলম্বন কৰাই সৰ্ব্বশ্ৰেষ্ঠ উপায়।

এইটো খাতাং কথা যে, দেশৰ আৰ্থিক অৱনতিৰ পথ ৰুদ্ধ কৰিব নোৱাৰিলে গুৰুসকলে অকল ধৰ্ম্মৰ দোহাই দি, সত্ৰ শিষ্য বঢ়াই, তেওঁলোকৰ গুৰুগিৰি আৰু সত্ৰ সম্পত্তি ৰক্ষা কৰিব নোৱাৰিব। কাৰণ আৰ্থিক অৱনতিয়ে ধৰ্ম্মৰ দোহাই, সমাজৰ বান্ধনি, ৰাজনৈতিক ছল-চাতুৰি, শিক্ষাৰ গভীৰ বাণী সাহিত্যৰ উচ্চ আদৰ্শ আৰু হৰিনাম হৰিধ্বনি কাকো গ্ৰাহ্য নকৰে। আৰ্থিক অৱনতি অকল দৈত্য দানৰ আৰু মাৰিমড়ক কিম্বা, স্বয়ং মৃত্যুতকৈও কঠোৰ, নিৰ্দ্দয় আৰু ভয়াবহ। অসমীয়া জাতিৰ এই অৱনতিৰ পথত যি জনেই আগভেটি দিবলৈ সাজু নহব, সেইজনেই জাতিৰ ধ্বংস পাপত দণ্ড হবলৈ সাজু হব লাগিব, নহলে অব্যাহতি নাই।

আজি শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালাই অকল নিজৰ অধ্যাৱসায় আৰু বিশ্বাসৰ বলতেই এটা ফিল্ম কোম্পানী খুলি অসমীয়া জাতিক প্ৰমাণ কৰি দেখুৱাইছে যে, অসমীয়া মানুহে অলপ স্বাৰ্থ আৰু সাহ স্বীকাৰ কৰিলেই, তাতোকৈ ডাঙৰ ডাঙৰ আৰ্থিক উন্নতিৰ নতুন নতুন কাৰ্য্য পন্থা হাতত লব পাৰিব। এই ফিল্ম কোম্পানীয়ে অকল যে ছোৱালে ছোৱালে টকাই সংগ্ৰহ কৰিব এনে নহয়,—অসমীয়া জাতিৰ পঁচি যোৱা বিৰাট সভ্যতা আৰু অতীত সাধনাকো সমগ্ৰ সভ্যজগতৰ মাজত প্ৰকাশ কৰি, বিশেষকৈ নাৰীজগতত এটা নতুন তেজৰ সোঁত বোৱাব।

কাহানিখন জিনিবি জীৱন পণ?

গীত— —শ্ৰীযুত উমেশ চন্দ্ৰ চৌধাৰী বি, এল

কাহানিখন,—
আই, কাহানিখন
জিনিবি জীৱন-পণ—
উদ্যবি কৰাল সিন্ধু প্ৰৱল উৰ্ম্মি-আক্ৰমণ
গৱজে অলেখ শত্ৰু বিষিনি—
সেই বুলি আই লবিনে জিবণি?
অ' মোৰ অসম, বীৰ প্ৰসবিনী
হবিনেকি আই আপোন ঘাতিনী—
দিবি ভবিষ্য বিসৰ্জ্জন?

দেশে দেশে আজি নৰ-বিধান
স্বাৰ্থৰ হকে মহৎ অভিযান
কিহেতু আই তোৰ তেজিবি স্থান
চিৰ পাহৰণিত লবি শয়ন?
উঠ আই জননী, হিংবাহিনী, লক্ষ দানৱ কবি দমন।
কুঞ্জত আই তোৰ ফুটিব ৰূপহী ফুল,
আকাশত আই তোৰ উদিব তৰাৰ থুল,
বতাহত উঠিব হবষৰ বোল ;—
হবি আই কাহানি নন্দন-বনী,
লভিবি তোৰ আই জগত জননী
শীৰ্ষে বত্ন সিংহাসন?

বৈজ্ঞানিক জগৎ

বৈজ্ঞানিকৰ আগত সূৰ্য্যৰ পৰাভৱ

সময়ৰ সোঁতত বৈজ্ঞানিকৰ চেষ্টাই সূৰ্য্যৰ আৱশ্যকতা



ফিলিপচ্ লেবৰেটৰীত মিঃ চি, বল

দূৰ কৰি দিন-ৰাতিৰ প্ৰভেদো নোহোৱা কৰিব পৰা যে সম্ভৱ তাক হলেণ্ডৰ বিখ্যাত বৈজ্ঞানিক মিঃ চি বলৰ আবিষ্কাৰে ভালেখিনি প্ৰমাণ কৰিছে। তেওঁ হলেণ্ডৰ ফিলিপচ্ লেবৰেটৰীত এবিধ নতুন ধৰণৰ বিজুলী চাকি কৰি উলিয়াইছে। এই চাকিৰ পোহৰ দিব পৰা শক্তি ৪০,০০০ মোমবাতিৰ সমান অৰ্থাৎ সূৰ্য্যৰ পোহৰৰ চাৰি ভাগৰ এভাগৰ সমান। মিঃ বলে আশা কৰে যে এই প্ৰণালীৰে আৰু বেছি শক্তি সম্পন্ন বিজুলী চাকি তৈয়াৰ কৰি এসময়ত দিন ৰাতি সমান কৰিব পৰা যাব।

ৰূপালী-জুবিলীত লণ্ডনত নিৰাপদৰ ব্যৱস্থা



ৰূপালী জুবিলীত মটৰ গাৰীত লাউড স্পিকাৰ লগাই কিছুমান লণ্ডনৰ পুলিছে চৌৰাটত থকা পুলিছবোৰক অহা যোৱা মানুহৰ কাৰণে বাট উলিয়াই দিবলৈ উপদেশ দি ফুৰিছে।

ৰজা-ৰাণীৰ ৰূপালী-জুবিলীত লণ্ডনত লোক সমাগমত নিৰাপদৰ কাৰণে নানা ৰকমৰ ব্যৱস্থা কৰা হৈছিল। বিশেষকৈ 'লৰা-ছোৱালীৰ দিন'ৰ দিনা পুলিচ সকলে ট্ৰাফালগাৰ স্কোৱাৰত লৰা-ছোৱালীবোৰে নিৰাপদে অহা যোৱা কৰিব পাৰে তাৰ বাবে নানা উপায় অৱলম্বন কৰিছিল। সেই দিনা প্ৰায় ৭০,০০০ লৰা-ছোৱালীয়ে ৰজা ৰাণীক চাবলৈ লণ্ডনলৈ আহিছিল। কিছুমান পুলিচে মটৰ গাৰীত 'লাউডস্পিকাৰ'লগাই চৌ-বাটত থকা পুলিচবোৰক অহা যোৱা কৰা মানুহৰ কাৰণে বাট উলিয়াই দিবলৈ উপদেশ দি ফুৰিছিল।

নতুন কেমেৰা



আপোনা আপুনি ফটো উঠা কেমেৰা

সাগৰত কুৱলীৰ মাজত জাহাজ চলাচল কৰা অতি বিপদজনক। কুৱলীৰ বাবে সমুখত কি থাকে বহুত সময়ত দেখিবলৈ পোৱা নাযায়। এই অসুবিধা আতৰাবৰ কাৰণে এবিধ নতুন ফটো তোলা কেমেৰা সজা হৈছে। এই কেমেৰাত প্ৰত্যেক পাঁচমিনিটত সমুখত থকা বস্তুৰ ফটো আপোনাআপুনি উঠে। 'ইন্‌ফ্ৰা-ৰেড' ৰশ্মিৰ সহায়ত এই ফটো 'ডেভেলপ' হয় আৰু জাহাজৰ কৰ্ম্মচাৰীসকলে আগত থকা জাহাজ, গোটমৰা বৰফ, আৰু আন বিপদজনক বস্তুবোৰ দেখিবলৈ পায়।

সবাক চিত্ৰত একেলগে নানা ভাষা

বাৰ্লিনত পতা আন্তৰ্জ্জাতিক ফিল্ম কংগ্ৰেছত তাৰ ফ্ৰল অপেৰাত সেই কেদিন সবাক চিত্ৰ দেখুৱা হৈছিল। কাৰণে এটি অভিনৱ উপায় অৱলম্বন কৰা হৈছিল। তেওঁলোকৰ প্ৰত্যেককে একোটিকৈ 'ইয়াৰফোন' (earphone) পিন্ধিবলৈ দিয়া হৈছিল আৰু সেই 'ইয়াৰ



আন দেশৰ প্ৰতিনিধি সকলে আন্তৰ্জাতিক ফিল্ম কংগ্ৰেছত জাৰ্ম্মাণ ভাষাত হোৱা কথা-ছবি 'ইয়াৰ ফোন' পিন্ধি নিজৰ ভাষাত শুনিছে।

চিত্ৰবোৰ জাৰ্ম্মাণ ভাষাতেই আছিল। আন আন দেশৰ যি সকল প্ৰতিনিধিয়ে জাৰ্ম্মাণ ভাষা নুবুজিছিল তেওঁলোকৰ ফোন' পিন্ধাৰ লগে লগে সেই চিত্ৰৰ কথাবোৰ নিজৰ ভাষাত শুনিবলৈ পাইছিল।

স্বৰলিপি

কলিঙৰা—একতালা (বিলম্ব লয়)

কথা, সুৰ আৰু স্বৰলিপি —শ্ৰীযুত ধনেশ্বৰ গোস্বামী, বি, এচ, চি

(সখী) কি মোহন সুৰে মুৰলী বাজে ঐ
কিয়বা কৰিলে মন উচাতন।
কানুৰে চৰণত মন প্ৰাণ সপিম ঐ
হৃদি-কুঞ্জ মাজে কৰি আৰাধন।
যমুনাৰে বালি পাই বনমালী
খেলিছে কতনা ৰঙ্গে।

(সখী) .....কিবা আভা শোভে অঙ্গে ;
বিৰহ বেদনাত প্ৰেম জুই জ্বলিছে
নেদেখি মূৰতি শ্যাম মোহন।

০			১			+			৩		
সা	ধা	ধা	ধা	ধা	ধা	পা	মা	ধা	পা	মা	গা
কি	মো	হ	ন	সু	ৰে	মূ	ক	লী	বা	জে	ঐ

০			১			+			৩		
গা	গা	মা	ধা	পা	মা	গা	গা	ৰে	ৰে	সা	সা
কি	য়	বা	ক	ৰি	লে	ম	ন	উ	চা	ত	ন

০			১			+			৩		
সা	সা	সা	সা	সা	সা	নি	সা	নি	ধা	পা	মা
কা	নু	ৰে	চ	ৰ	ণত	ম	ন	প্ৰাণ	স	পিম্	ঐ

০			১			+			৩		
গা	গা	মা	ধা	পা	মা	গা	গা	ৰে	ৰে	সা	সা
হৃ	দি	কু	ঞ্জ	মা	জে	ক	ৰি	আ	বা	ধ	ন

অন্তৰা

০			১			+			৩		
ধা	ধা	ধা	নি	নি	নি	সা	সা	সা	সা	সা	সা
য	মু	না	ৰে	বা	লি	পা	ই	ব	ন	মা	লী

০			১			+			৩		
গা	গা	গা	ৰে	ৰে	সা	নি	ন	সা	সা	সা	সা
খে	লি	ছে	ক	ত	না	ৰ	০	০	ঙ্গে	০	০

০			১			+			৩		
নি	সাৰে	নিসা	নিধা	পামা	গা	মা	ধা	ধা	ধা	ধা	ধা
কি	বা০	আ০	ভা০	শো০	ভে	অ	০	ঙ্গে	০	০	০

০			১			+			৩		
সা	সা	সা	সা	সা	সা	নি	সা	নি	ধা	পা	মা
বি	ৰ	হ	বে	দ	নাত	প্ৰে	ম	জুই	জ্ব	লি	ছে

০			১			+			৩		
গা	গা	মা	ধা	পা	মা	গা	গা	ৰে	ৰে	সা	সা
নে	দে	খি	মূ	ৰ	তি	শ্যা	০	ম	মো	হ	ন



বিবিধ

বাতৰি কাকত

১৬৬৩ চনত প্ৰথম আচল বাতৰি কাকত ইংলণ্ডত স্যাৰ ৰেজোৰ লেষ্ট্ৰেঞ্জে প্ৰকাশ কৰে। এই কাকত খনিৰ নাম দিছিল 'পাব্‌লিক্ ইণ্টেলিজেন্স'।

* * * * *

'Gazette' শব্দটো ইটালীয় 'Gazetta' শব্দৰ অপভ্ৰংশ। গেজেটা ইটালীত প্ৰচলিত এবিধ মুদ্ৰা আছিল। আধুনিক ধৰণৰ বাতৰি কাকত ১৫৩৬ চনত ভেনিচত প্ৰকাশ হয় আৰু তাৰ দাম আছিল এক 'গেজেটা' তেতিয়াৰ পৰাই গেজেট নামটো ওলায়।

* * * * *

খৃঃপূঃ ৬৯১ চনতে প্ৰাচীন ৰোমত "Acta Diurna" নামে এপ্ৰকাৰ বাতৰি কাকত ওলাইছিল। ইয়াত দিনৰ সকলো ঘটনা প্ৰকাশ কৰি নগৰৰ সকলো ফালে প্ৰচাৰ কৰা হৈছিল। আধুনিক ধৰণৰ বাতৰি কাকত ওলোৱাৰ বহু আগতে 'Flying Sheets' কাগজ ছপাই ইংলণ্ডতো প্ৰকাশ কৰা হৈছিল।

'মিৰিনাৰ্ছ কম্পাছ'

মাৰ্কো পলো নামে এজন ভেনিছৰ মানুহে য়ুৰোপত প্ৰথমে ১২৬০খৃঃত মেৰিনাৰ্ছ কম্পাছ 'উলিয়াই। চীনা সকলে ইয়াৰো ২০০০ বছৰৰ আগেয়ে এই কম্পাছ ব্যৱহাৰ কৰিছিল বুলি জনা যায়। এতিয়া অৱশ্যে তাৰ ভালে যিনি ক্ৰমোন্নতি হৈছে।

আকাশত একেৰাহে ২৭দিন

ফ্ৰেড কিজ আৰু অল কিজ নামি দুজন ভাই ককায়ে একেৰাহে ২৭ দিন শূন্যত উৰি এটি নতুন ৰেকৰ্ড ৰাখিলে। ইয়াৰ আগেয়ে ১৯৩০ চনত ডেল আৰু জেকছনে একেৰাহে ৬৪৭ ঘঃ ২৮ মিঃ অৰ্থাৎ ২৬ দিঃ ২৩ ঘঃ ২৮ মিঃ উৰি ৰৈছিল।

বৃটীছ বিশ্ববিদ্যালয়ৰ সংখ্যা

ইংলণ্ডত—অক্সফোৰ্ড, কেম্‌ব্ৰিজ, বাৰ্ম্মিংহাম ব্ৰিষ্টল, ডাৰহাম্, লিডছ, লিভাৰপুল, লণ্ডন, মাঞ্চেষ্টাৰ, নটিংহাম, ৰিডিং, চেফিল্ড।

ৱলছত—ৱেলছ, লেম্‌পিটাৰ। স্কটলেণ্ড—এৱাৰ্ডিন, এডিনবাৰ্গ, গ্লাছগো চেণ্ট এণ্ড্ৰুজ আয়লেণ্ড—বেলফাষ্ট, ডবলিন্

যোৱা এশ বছৰৰ কেটামান প্ৰধান যুদ্ধ

১। ক্ৰিমিয়ান যুদ্ধ—১৮৫৪—১৮৬৫ (*এফালে ইংলণ্ড, ফ্ৰান্স, তুৰ্কী আন ফালে ৰুছীয়া)

২। আমেৰিকাৰ অন্তৰ্যুদ্ধ—১৮৬১—১৮৬৫ (চিভিল ৱাৰ)

[এফালে*উত্তৰ ৰাষ্ট্ৰসমূহ আনফালে দক্ষিণ ৰাষ্ট্ৰসমূহ]

৩। ফ্ৰাঙ্কো জাৰ্ম্মান যুদ্ধ—১৮৭০—১৮৭১ (ফ্ৰান্স আৰু জাৰ্ম্মানী*)

৪। তুৰ্কী-ৰুছ যুদ্ধ—১৮৭৭—১৮৭৮ (*ৰুছীয়া—তুৰ্কী)

৫। বুওৰ যুদ্ধ—১৮৯৯—১৯০২ (*ব্ৰিটেন V ট্ৰান্সভাল আৰু অৰেঞ্জ ষ্টেট)

৬। ৰুছ জাপান যুদ্ধ—১৯০৪—১৯০৫ (জাপান V ৰুছীয়া)

৭। প্ৰথম বলকান যুদ্ধ—১৯১২—১৩ (*চাৰ্ভিয়া, গ্ৰীচ, বুলগেৰীয়া আৰু মণ্টিনিগ্ৰো V তুৰ্কী)

৮। মহা সমৰ—১৯১৮—১৯১৮

(এফালে * 'ফ্ৰান্স, ৰুছীয়া, বেলজিয়ম, বৃটীছ সাম্ৰাজ্য চাৰ্ভিয়া ৰুমানীয়া, গ্ৰীছ, পৰ্টুগাল যুক্তৰাষ্ট্ৰ আৰু জাপান আনফালে জাৰ্ম্মেনী, অষ্ট্ৰীয়া, বুলগেৰীয়া আৰু তুৰ্কী)

* তৰা চিন দিয়াবিলাকে জয়লাভ কৰিছিল।

পৃথিবীৰ ক্ৰোড়পতি সকল

১। জন ৰক ফেলাৰ

২। হেনৰী ফোৰ্ড

৩। জেমছ এ ডি ৰথচাইল্ড

৪। লৰ্ড নাফিল্ড

৫। স্যাৰ হেনৰী ডিটাৰ ডিং

৬। জে পায়াৰ পোৰ্ট মৰ্গান

গুৱাহাটীত ৰূপালী জুবিলী উৎসৱ



ৰূপালী জুবিলীত প্ৰায় ৫০টা হাতী যুনিয়ন জেকৰ আগত শাৰী পতোৱাৰ এটি দৃশ্য।



ৰূপালী জুবিলী উপলক্ষে গুৱাহাটীত শোভাযাত্ৰা কৰাৰ এটি দৃশ্য।

[ফটো—এচ, ঘোষাল]



প্ৰায় ৫০ হাতীক ৰূপালী জুবিলীৰ উৎসৱৰ বিনা 'য়ুনিয়ন জেকৰ সমুখত শাৰী পতোৱাৰ আন এটি দৃশ্য।

[ফটো—এচ, ঘোষাল

শ্ৰব্যকাব্যত কালিদাসৰ প্ৰতিভা

—শ্ৰীযুত তোষেশ্বৰ ঠাকুৰ

প্ৰাচ্য জগতত কালিদাসৰ নাম অতি আদৰৰ। শান্তিতা দেশত চেক্সপিয়েৰৰ নাম যেনে সন্মানৰ, প্ৰাচ্য দেশ কালিদাসৰ নাম তেনে গৌৰৱৰ। আন হাতে চেক্সপিয়েৰে তেওঁৰ অনুপম লেখনীৰ দ্বাৰা যেনেকৈ দেশ-কাল, জাতি-বৰ্ণ নিৰ্ব্বিশেষে সকলোৰে মন আকৰ্ষণ কৰিব পাৰিছিল, সেই দৰে মহাকবি কালিদাসেও কেৱল প্ৰাচ্য জগত নহয় সুদূৰ প্ৰতীচ্য দেশতো তেওঁৰ প্ৰতিভা বিস্তাৰ কৰি সমস্ত জগতক মুগ্ধ কৰিছিল। এনে সৌভাগ্যৱান বাৰীৰ ৰবপুত্ৰসকল কোনোবা জাতি বিশেষৰ বস্তু নহয়, এওঁলোক বিশ্ব ব্ৰহ্মাণ্ডৰে সম্পত্তি—বিৰাট মানৱ জাতিৰ গৌৰৱৰ স্থল।

দৃশ্যকাব্যত বিশেষকৈ শকুন্তলাৰ দ্বাৰা কালিদাসৰ যেনে বিশ্ব-ব্যাপি খ্যাতি, সেই দৰেই শ্ৰব্যকাব্যতো তেওঁৰ অসীম প্ৰতিষ্ঠা। কালিদাসৰ গ্ৰন্থৰাজি পঢ়া, তাত এক সমযতে মনুৰ ধৰ্ম্মোপদেশ, বৈষ্ণৱৰ বিষ্ণু ভক্তি, শৈৱৰ শিৱোপাসনা, বুদ্ধৰ ত্যাগ—সকলো পাবা। মানৱসুলভ সূক্ষ্মাদপি সূক্ষ্ম ভাৱবিলাক বিশ্লেষণ কৰি লেখোৱাত মহাকবি কালিদাস অদ্বিতীয়। আজি কত শ বছৰৰ আগতে এই মহাকবিয়ে যি সুমধুৰ বাঁহীৰ ধ্বনি কবি গল, সেই ধ্বনি শুনিবলৈ আজিও দেশ বিদেশৰ মনীষীসকল উন্মুখীৰ।

কালিদাসৰ লেখনী প্ৰসূত কাব্যবিলাকৰ ভিতৰত প্ৰথম হৈছে 'ঋতু সংহাৰ'। এইখনি কবিৰ অপৰিণত বয়সৰ কাব্য। পৰিণত বয়সৰ মহাকাব্যবিলাকৰ লগত তুলনা কৰি চালে ইয়াত অনেক সাহিত্যমূলক বৈষম্য দেখা যায়। সেই বাবে কোনো পণ্ডিতে এই 'ঋতু সংহাৰ' মহাকবি কালিদাসৰ নহয় বুলি যুক্তি দিয়ে। কিন্তু এই যুক্তি সমীচীন বুলি দাবণা নহয়। দৃশ্যকাব্যৰ ফালৰ পৰা চালেও কবিৰ যৌৱন কালৰ লিখা 'মালবিকাগ্নিমিত্ৰ' (পৰিণত বয়সৰ লিখা নাটকবিলাকৰ তুলনাত) তেওঁৰ নহয় বুলি কোৱা যেনেকুৱা, 'ঋতু সংহাৰো' আন কবি প্ৰণীত বুলি কোৱা তেনেকুৱা। অৱশ্যে প্ৰথম কাব্য বুলি ইয়াত কিছু পৰিমাণে হীন-চেষ্টি থকা স্বাভাৱিক। যৌৱন কালৰ উদ্দাম ভাৱাবাশি আৰু পৰিণত বয়সৰ পৰিপক্ক গবেষণাৰ মাজত বাৱধান অৱশ্যে থাকিবই।

'ঋতুসংহাৰ'ৰ প্ৰতিপাদ্য বিষয় হৈছে গ্ৰীষ্ম প্ৰভৃতি ছয় ঋতুৰ মনোৰম বিৱৰণ আৰু কাম-বাণ-বিদ্ধ নায়ক নায়িকাসকলৰ মনৰ ওপৰত ইবিলাকৰ আধিপত্য। সমুদায় ১৫৩টি শ্লোকেৰে ৬ সৰ্গত এই কাব্য বিভক্ত। প্ৰত্যেক ঋতুৰ বিৱৰণত একোসৰ্গ নিয়োজিত হৈছে। গ্ৰীষ্মৰ চন্দ্ৰমা কিৰণ, বৰ্ষাৰ স্ৰোতস্বিনী নদী আৰু আকাশৰ মেঘ, শৰতৰ কুসুমিত নৱমল্লিকা, শীতৰ ক্ৰিয়মুলতা আৰু বসন্তৰ ৰক্তিম আম্ৰমুকুল—এইবিলাকে প্ৰণয় কাতৰ মনত যি তৰঙ্গ তোলে তাক মহাকবিয়ে চমৎকাৰ ভাৱে 'ঋতু সংহাৰ'ত অঙ্কিত কৰি গৈছে।

'ঋতু সংহাৰ'ৰ পিছত কবিৰ অন্যতম খণ্ডকাব্য'মেঘদূত'। ১১৮টি মন্দাক্ৰান্তা ছন্দৰ শ্লোকেৰে এই কাব্য ৰচিত। প্ৰসিদ্ধি বিস্তাৰৰ ফালৰ পৰা চালে শকুন্তলাৰ পাছতেই ঠাই পায়। কোনো কোনোৱে অনুমান কৰে যে 'মেঘদূত'ৰ মূল ভাৱ কবিয়ে ৰামায়ণৰ পৰা উদ্ধৃত কৰে। সীতাৰ প্ৰতি বিৰহী ৰামচন্দ্ৰৰ হাবিয়াস আৰু কিষ্কিন্ধ্যা কাণ্ডৰ বৰ্ষা-বৰ্ণনাই মহাকবিৰ মেঘদূতৰ বহুত উপাদান যোগায় বুলি সিবিলাকে কয়। সি যি কি নহ'ক, মেঘদূতৰ মন্দাক্ৰান্তাই কবিক অমৰ কৰি থৈ গৈছে।

কৰ্ত্তব্য অৱহেলা কৰাৰ ফলত যক্ষক তেওঁৰ প্ৰভু কুবেৰে এবছৰলৈ প্ৰিয়তমা ভাৰ্য্যাৰ পৰা বিচ্ছেদ কৰায়।

এই বিচ্ছেদ কাল তেওঁ কটাব লাগে মধ্য ভাৰতৰ ৰামগিৰিত। ভৰ বাৰিষা, বিৰহ-বিধুৰ যক্ষই আকাশত এডোখৰ ডাৱৰ দেখে আৰু সেই ডাৱৰকে দূত কৰি তেওঁৰ শোকাতুৰা ভাৰ্য্যালৈ এটি আশা আৰু সান্ত্বনাৰ বাণী পঠায়। মেঘদূতে বাটত উজ্জয়িনী, অৱন্তী, বিদিশা, বেত্ৰৱতী প্ৰভৃতি নানা গিৰি, নদী, নগৰী পাৰ হৈ শেষত তেওঁৰ প্ৰিয়তমাৰ বাসস্থান অলকা কেনেকৈ পাবগৈ, যক্ষই তাৰ এটা বিৱৰণ দিয়ে আৰু পৰিশেষত এই বাতৰি পঠায় যে তেওঁ যেন বিহ্বলা নহয়। তেওঁৰ হৃদয় এতিয়াও প্ৰিয়াৰ প্ৰতি আসক্ত। উভয়ৰে পুনৰ্মিলন অনতি পলমে হব, যেতিয়া বিৰহ দিবসৰ স্মৃতিত শাৰদী ৰাতিবিলাক দুগুণ মধুময় হৈ উঠিব।

জাৰ্ম্মাণ কবি স্বিলাৰে (Schiller)—হব পাৰে, 'মেঘদূত'ৰ আভাস লৈ—তেওঁৰ 'মেৰিয়া ষ্টুৱাৰ্ট'ত কাৰাগাৰৰুদ্ধা ৰাণীয়ে ডাৱৰক দৌত্য কাৰ্য্যত নিযুক্ত কৰি নিজদেশ ফ্ৰান্সলৈ পঠোৱাৰ বিৱৰণ করুণ সুৰত ডাঙি ধৰিছে।

'মেঘদূত'ৰ কাহিনী কালিদাসৰ জীৱনৰ স্বৰূপ ঘটনা বুলিও কোনো কোনোৱে অনুমান কৰে—যদিও সি সন্দেহ জনক। কিন্তু এইটো সত্য যে এই খণ্ডকাব্যত গভীৰতম অথচ সুকোমল ভাৱবিলাকৰ পৰিস্ফুৰণৰ পৰাকাষ্ঠা দেখুৱা হৈছে। কাম ভাৱ উদাৰ হৈ মহান প্ৰেম ভাৱত বিলীন হৈছে। 'ঋতু সংহাৰ'ত ভাৱ বিশ্লেষণৰ যি সূত্ৰপাত হৈছিল, 'মেঘদূত'ত ই সম্পূৰ্ণতা লাভ কৰিছে। কবিৰ বংশস্থা আৰু ইন্দ্ৰবজ্ৰাৰ মাজত আমনি লাগি যেন মন্দাক্ৰান্তাত পাঠকে প্ৰাণত স্বস্তি বোধ কৰিছে।

'মেঘদূত'ৰ পিছত ক্ৰমানুসাৰে মহাকবিৰ 'কুমাৰসম্ভৱ' উপস্থিত হয়। ১৭ সৰ্গেৰে এই মহাকাব্য ৰচিত। তাৰে শেষৰ ৯ সৰ্গ প্ৰক্ষিপ্ত বুলি অনুমান কৰা যায়। মূল ৮ সৰ্গ শেষ হৈছে শিৱ আৰু উমাৰ মিলন-আনন্দ বৰ্ণনাত। সেইবাবে সম্ভৱতঃ 'কুমাৰসম্ভৱ' নাম অৰ্থৱান কৰিবৰ নিমিত্তে ভাৱৰ সামঞ্জস্য ৰখাই কুমাৰৰ জন্ম আৰু তাড়কাসুৰৰ নিধন প্ৰভৃতি বিষয় বিলাক বৰ্ণাই পাছৰ ৯ সৰ্গ প্ৰক্ষিপ্ত কৰা হৈছে।

'মেঘদূত'ৰ দৰে 'কুমাৰসম্ভৱ'তো কবিৰ ৰচনা নৈপুণ্য আৰু ভাৱ-প্ৰৱাহ সুন্দৰ ৰূপে প্ৰকাশ পাইছে। প্ৰকৃতিৰ লীলাভূমি, কিন্নৰ গন্ধৰ্ব্বৰ বিলাসভূমি হিমাচলত তেওঁৰ কন্যা পাৰ্ব্বতীৰ জন্ম। বিধিয়ে যেন সকলো সুন্দৰ বস্তুৰ আকৰ কৰি পাৰ্ব্বতীক সৃষ্টি কৰিলে। তেওঁৰ সৌন্দৰ্য্যৰ সীমা নাই। দেৱৰ্ষি নাৰদে ভবিষ্যৎ বাণী কৰে, এই পাৰ্ব্বতী শিৱৰ অৰ্দ্ধাঙ্গিনী হব লাগে। ইফালে শিৱ গভীৰ ধ্যানত নিমগ্ন। তেওঁৰ তপোভঙ্গ কৰি মন বিচলিত কৰিবৰ ক্ষমতা কাৰ আছে! কিন্তু বিধিৰ বিধান, হৰ-পাৰ্ব্বতীৰ মিলন হবই লাগিব। তাৰক ৰাক্ষসৰ অত্যাচাৰত উৎপীড়িত হৈ দেৱতাসকলে প্ৰতিকাৰৰ উপায় বিচাৰি ব্ৰহ্মাৰ ওচৰ চাপে। ব্ৰহ্মা নিৰুপায় হৈ মহাদেৱ ভিন্ন আন কোনেও এই দৈন্য নিবাৰণ কৰিব নোৱাৰে বুলি সমিধান দিয়ে। মূল কথা পাৰ্ব্বতীৰ অপাৰ্থিব সৌন্দৰ্য্যেৰে ধ্যান-মগ্ন শিৱৰ মন আকৰ্ষণ কৰাই উভয়ৰ মিলন ঘটাব লাগিব আৰু সেই মিলন-প্ৰসূত সন্তানেই তাৰকৰ একমাত্ৰ হন্তা হব।

এতিয়া এই মিলন ঘটোৱাত সহায়তা কৰে কোনে? কামদেৱৰ বাহিৰে এই কাৰ্য্য সাধনৰ আন উপযুক্ত পাত্ৰ নাই। দেৱৰাজ ইন্দ্ৰ এই অভিপ্ৰায় লৈ ওচৰ চাপিল, মদন সন্মত হল। লগত বন্ধু বসন্ত আৰু প্ৰিয়তমা ৰতিক লৈ মদনে যাত্ৰা কৰিলে—শিৱক পুষ্পবাণ মাৰি যোগভ্ৰষ্ট কৰিবলৈ। শিৱই মৰ্ম্মস্থলত অস্বাভাৱিক বিকাৰ অনুভৱ কৰিলে। ক্ৰোধত নয়নাগ্নিৰে কামদেৱক ভস্ম কৰিলে। তাৰ পিছত ৰতিৰ করুণ বিলাপ। চিতা জ্বালি আত্ম বিনাশ কৰিবলৈ ৰতি উদ্যতা এনেতে আকাশী বাণী হয় 'মদনৰ লগত তোমাৰ পুনৰ্মিলন হব'। ৰতি ক্ষান্ত হয়।

ইফালে হৰক লাভ কৰিবৰ উদ্দেশে উমাই গ্ৰীষ্মৰ উত্তাপ, শীতৰ শৈত্য, সকলো উপেক্ষা কৰি কঠোৰ তপস্যা আৰম্ভ কৰিছে। ব্ৰহ্মচাৰী বেশেৰে মহাদেৱে পাৰ্ব্বতীৰ একাগ্ৰতা পৰীক্ষা কৰিবলৈ তপস্যাৰ বিফলতা দেখুৱাই অনেক ছলনাপূৰ্ণ যুক্তি দেখুৱায়। কিন্তু পাৰ্ব্বতী নীৰৱ, নিস্পন্দ। ব্ৰহ্মচাৰী শিৱৰ আত্মপ্ৰকাশ

কৰাৰ বাহিৰে উপায় নাই। পাৰ্ব্বতীৰ আৰু বুজিবলৈ বাকী নাথাকিল যে হৰৰ তেওঁৰ প্ৰতি অসীম অনুৰাগ। তাৰ পিছত প্ৰচলিত প্ৰথামতে শিৱ-পাৰ্ব্বতীৰ শুভ পৰিণয় সমাপ্ত হয়; দুয়ো আনন্দেৰে মধুময় জীৱন যাপন কৰে।

এই খিনিয়েই সংক্ষিপ্ত ভাৱে প্ৰথম আঠ সৰ্গৰ বৰ্ণিত বিষয়। বাকী ৯ সৰ্গত কুমাৰৰ জন্ম, অস্ত্ৰ শিক্ষা, তাড়কৰ লগত সংগ্ৰাম আৰু নিধন আদিৰ বৰ্ণনা কৰা হৈছে। কিন্তু এই ৯ সৰ্গত প্ৰথম ৮ সৰ্গৰ দৰে ৰচনা বৈচিত্ৰ্য আৰু বৰ্ণনা সৌন্দৰ্য্য দেখিবলৈ পোৱা নাযায়। পিছৰ কাব্যকাৰ আৰু সমালোচক সকলেও এই সৰ্গবিলাক উল্লেখ নকৰে। সেইবাবে এই ৯ সৰ্গ প্ৰক্ষিপ্ত বুলি ধৰা অসমীচীন নহব।

আনন্দবৰ্দ্ধন নামে এজন আলঙ্কাৰিকে কয় যে দেৱতা সকলৰ ভিতৰত প্ৰেমভাৱ এনেকৈ বিশ্লেষণ কৰি দেখুৱাটো ৰুচি বিৰুদ্ধ কাম হৈছে। কিন্তু মহাকবিৰ নিপুণ হাতত পৰি এই দোষ গুণত হে পৰিণত হৈছেগৈ। দেৱতাৰ প্ৰেম ৰূপক মাত্ৰ। যি প্ৰেমৰ পৰিণাম দৈত্যৰ কবল গ্ৰাসৰ পৰা জগত উদ্ধাৰ, সেই প্ৰেম প্ৰত্যেক গৃহীৰে আৰ্হি হব লাগে। প্ৰত্যেক স্বামী-স্ত্ৰীৰ ভিতৰত এনে অকৃত্ৰিম ভগৱদভিমুখী প্ৰেম থাকিব লাগে। কবিয়ে ধ্বনিৰ সহায়েৰে 'কুমাৰসম্ভৱ'ৰ অতিমানুষী প্ৰেম পাৰ্থিব প্ৰেমত পৰিণত হবলৈ পথ দেখুৱাইছে।

'কুমাৰসম্ভৱ'ৰ পিছত কবিৰ পৰিণত বয়সৰ বহুমুখী প্ৰতিভাৰ শ্ৰেষ্ঠ ফল 'ৰঘুবংশ'। উনৈশ সৰ্গত এই মহাকাব্য সম্পূৰ্ণ হৈছে। 'ৰঘুবংশ'ত দিলীপকে আৰম্ভ কৰি সূৰ্য্যবংশৰ ৰজাসকলৰ কাৰ্য্য-কলাপ, গুণ-গৰিমা বৰ্ণোৱা আছে। এনে অনুমান হয় যে গুপ্ত ৰজাসকলৰ অসামান্য প্ৰভাৱ আৰু যশস্যাই কবিক সূৰ্য্যবংশৰ গুণ-গান কৰিবলৈ প্ৰেৰণা দিছিল। কিন্তু সি যিয়েই নহওক অতীতৰ ৰহস্যমূলক ৰামায়ণ আৰু অপেক্ষাকৃত পৰৱৰ্ত্তীকালৰ বুৰঞ্জীমূলক গুপ্ত ৰাজ্যৰ মাজত সমান্তৰালতা আনি সমালোচনা কৰিবলৈ যোৱাৰ আৱশ্যক নাই। চিৰকাল আদৃত পুৰাণ-ইতিহাস নিজ গৌৰৱত থাকক। তাত আমি বুৰঞ্জীৰ ৰহণ নাসানো। কেৱল ইয়াকে কব পাৰি যে যিবিলাক চৰিত্ৰ ৰামায়ণ আৰু পৰৱৰ্ত্তী পুৰাণবিলাকত উপেক্ষিত মহাকবিয়ে সিবিলাক নিজৰ কবিত্বেৰে উচ্চস্থান প্ৰদান কৰি জিলিকাই তুলিছে।

'ৰঘুবংশ'ত বৰ্ণিত প্ৰথম ৰজা দিলীপ—দানশীল, ধাৰ্ম্মিক কিন্তু অনপত্য। সুৰভিৰ দুহিতা নন্দিনীক শুশ্ৰূষাত তুষ্ট কৰি পুত্ৰ লাভ বৰ পায়। যথা সময়ত ৰঘুৰ জন্ম হয়। ৰঘুৰ অস্ত্ৰ শিক্ষা, যজ্ঞীয়াশ্ব পৰ্য্যবেক্ষণ আৰু বিশ্ববিশ্ৰুত দিগ্বিজয়—এইবিলাক তৃতীয়, চতুৰ্থ সৰ্গত কবিয়ে মুগ্ধকৰ ভাৱে বৰ্ণনা কৰিছে। পঞ্চম সৰ্গত অপৰিমিত বদান্যতাৰ ফলত ৰঘুৰ দাৰিদ্ৰ। ৬ষ্ঠ সৰ্গত ৰঘুৰ পুত্ৰ অজৰ জন্ম, ইন্দুমতীৰ স্বয়ম্বৰ, পৰিচাৰিকা সুনন্দাৰ বাকচাতুৰ্য্য আৰু অজৰ ইন্দুমতী লাভ। সপ্তম সৰ্গত বিফল মনোৰথ প্ৰাৰ্থীসকলৰ অজৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা আৰু পৰাজয়। অষ্টম সৰ্গত অজৰ ৰাজত্ব, পৰাক্ৰম, শক্তিবিস্তাৰ আৰু অপ্ৰত্যাশিত ভাৱে ইন্দুমতীৰ দেহত্যাগ। ইন্দুমতীৰ মৃত্যুত অজৰ বিলাপ বৰ মৰ্ম্মস্পৰ্শী। স্ত্ৰী বিয়োগৰ তীব্ৰ বেদনাত অভিসন্তপ্ত ৰজাই আৰু স্থিতি কামনা নকৰিলে। প্ৰিয়তমা ভাৰ্য্যাৰ লগে লগে তেৱোঁ মৃত্যুক আলিঙ্গন কৰিলে। নৱম সৰ্গত আমি অজৰ পুত্ৰ দশৰথৰ ৰাজ্যত উপস্থিত হওঁ। মৃগয়া কৰোতে ৰজাই ভুলক্ৰমে জনৈক মুনিৰ পুত্ৰক মৃগ বুলি হত্যা কৰে। তাৰ ফলত পুত্ৰ-বিয়োগাৰ্ত্ত মুনিৰ দ্বাৰা অভিশপ্ত হয় যে তেৱোঁ বৃদ্ধ বয়সত পুত্ৰশোকত প্ৰাণ এৰিব লাগিব। এই মৃগয়াৰ বিৱৰণ কবিয়ে অতি বিশদ অথচ চিত্তাকৰ্ষক ভাৱে অঙ্কিত কৰিছে। দশম সৰ্গত দশৰথৰ চাৰি পুত্ৰ ৰূপে বিষ্ণুৰ জন্ম গ্ৰহণ। একাদশত ঋষি বিশ্বামিত্ৰৰ অনুৰোধত ৰামৰ আশ্ৰম যাত্ৰা আৰু তপোবিঘ্নকাৰী ৰাক্ষসী তাড়কাৰ বধ। দ্বাদশ সৰ্গত ৰামৰ বনবাস আৰু ভৰতৰ ৰাজ্যাভিষেক স্বৰূপ কৈকেয়ীৰ দুই বৰ প্ৰাৰ্থনা, ৰাম-লক্ষণ-সীতাৰ বনগমন, ৰাৱণ কৰ্ত্তৃক সীতা হৰণ, হনুমানৰ সীতা অন্বেষণ আৰু সীতাৰ পুনৰুদ্ধাৰ—এইবিলাক বিষয় সংক্ষিপ্ত অথচ সিদ্ধহস্ত ভাৱে কবিয়ে বিবৃত

কৰিছে। ত্ৰয়োদশত আকাশী ৰথত ৰাম-সীতাৰ লঙ্কাৰ পৰা প্ৰত্যাগমন। লগে লগে সৰোৱৰ, আশ্ৰম, নদ-নদী, বন-উপবনৰ দৃশ্যই মনত পূৰ্ব্বস্মৃতি জগাই দিয়ে। চতুৰ্দ্দশ সৰ্গত পুত্ৰ আৰু পুত্ৰবধূৰ আগমনত বিধবা ৰাণীসকল আনন্দ বিহ্বল। সীতাই তেওঁৰ হকে স্বামীৰ দুখৰ কথা ভাৱি চকুলো টোকে। এই শোকৰ পিছতে ৰামৰ অভিষেক। সমস্ত অযোধ্যা আনন্দত উদ্ভাৱল। কিন্তু এই আনন্দ এছাটি কলা ডাৱৰে ঢাকি পেলালে। সীতাৰ পৱিত্ৰতাৰ বিষয়ে প্ৰজাৰ মনত সন্দেহ উপস্থিত হবলৈ ধৰিলে। মাজে মাজে দুই একে সীতাৰ কলঙ্কৰ কথা ৰটিবলৈ ধৰিলে। কৰ্ত্তব্যপৰায়ণ ৰজাই ইক্ষাকু বংশ নিষ্কলঙ্ক ৰখা আৰু প্ৰজাৰ মনোৰঞ্জন সাধন কৰাটো বেছি শ্ৰেয়ঃ বুলি ভাবিলে। পৰিণতি সীতাৰ বনবাস। সীতা এতিয়া বাল্মীকিৰ আশ্ৰমত। ইফালে সীতা বিহীন ৰাম গভীৰ শোকত কাতৰ; সীতাৰ হিৰন্ময়ী প্ৰতিকৃতি সজাই সান্ত্বনা লাভ কৰিছে। পঞ্চদশ সৰ্গত ৰামৰ অশ্বমেধ যজ্ঞ; লৱ-কুশৰ ৰামায়ণ গান, সীতাৰ পাতাল পৱেশ আৰু লৱ-কুশৰ হাতত ৰাজ্যভাৰ দি ৰামৰ স্বৰ্গাৰোহণ বৰ্ণনা! এই খিনিলৈকে 'ৰঘুবংশ' মহাকাব্য যেন উৎকৰ্ষৰ চৰম সীমাত উপনীত হৈছে। ইয়াৰ পাছৰ পৰা কাব্যৰ চমৎকাৰিতা কমি আহিছে। ষোড়শ সৰ্গত কুশাৱতীত শাসন কৰোতে কুশৰ সপোন দৰ্শন। সপ্তদশত নাগ কন্যাৰ গৰ্ভত কুশৰ পুত্ৰ জন্মৰ বৰ্ণনা। অষ্টাদশ আৰু উনবিংশ সৰ্গত বিশেষ উল্লেখ যোগ্য বিৱৰণ নাই। কেৱল বিলাসমত্ত বল-বীৰ্য্যহীন কেজনমান কুশৰ পৰৱৰ্ত্তী ৰজাৰ বিৱৰণ দিয়া আছে। ৰচনা কৌশলৰ বিপৰিৱৰ্ত্তনলৈ চাই এই দুই সৰ্গ কালিদাস ব্যতীত অন্যৰ বুলিবলৈ অভিলাষ জন্মে। কিন্তু এইটোও হব পাৰে যে কবিৰ বাৰ্দ্ধক্যৰ জ্বালা যন্ত্ৰনাই কাব্যৰ সৰ্ব্বাঙ্গ সুন্দৰ পৰিসমাপ্তিত ব্যাঘাত ঘটাইছিল।

স্থূলভাৱে এয়ে ৰঘুবংশৰ প্ৰতিপাদ্য বিষয়।

উল্লেখ কৰা হৈছে, এই 'ৰঘুবংশ' মহাকবিৰ পৰিণত বয়সৰ কাব্য। সেইবাবে ভাৱৰ গাম্ভীৰ্য্যও ইয়াত মহত্তম। বীৰাসন, ধাৰণা আৰু সমাধিৰ দ্বাৰা যোগ অভ্যাস কৰি পৰমযোগী হৈ ভগৱজ্জ্যোতি লভি কেনেকৈ পুনৰ্জন্ম ক্লেশৰ পৰা মুক্ত হৈ পৰমা শান্তি লাভ কৰিব পাৰি, কবিয়ে কাব্যৰ ভিতৰেদি তাক দেখুৱাইছে। দেৱতা উপাসনাৰ ফালে যদিও এই কাব্য বিষ্ণুপ্ৰধান, তথাপি মহাযোগী স্বৰূপে শিৱই হে প্ৰধান ভাৱে কবিৰ মনোযোগ আকৰ্ষণ কৰিছে।

যেনেকৈ ৰচনা কৌশল আৰু বিবৃতি-লাৱণ্যত কবিয়ে 'ৰঘুবংশ'ত পৰাকাষ্ঠা দেখুৱাইছে, সেইদৰে ৰস অভিব্যক্ত কৰাতো তেওঁ অসাধাৰণ পাৰদৰ্শিতা দেখুৱাইছে। মিলনত আদি ৰস, বিৰহত কৰুণ ৰস আৰু তাৰ লগে লগে আনুষঙ্গিকৰূপে বীৰ ৰস আৰু অদ্ভুত ৰসৰ অনুপম নিদৰ্শন দেখুৱাইছে। যদি সাহিত্যই এটা জাতিৰ দৰ্পণ স্বৰূপ হয়, তেনেহলে কালিদাসৰ কাব্যত প্ৰাচীন ভাৰতবাসীৰ জীৱনৰ প্ৰত্যেক স্তৰ—কি ৰাজ কাৰেং, কি বনবাস, কি ভয়াবহ যুদ্ধ, কি সমাৰোহপূৰ্ণ স্বয়ম্বৰ সকলোতে পৰিষ্কাৰ ৰূপে দেখিবলৈ পাম।

কালিদাসৰ কাব্যত কাব্যৰ আৱশ্যকীয় অঙ্গবিলাকে সৰ্ব্বতোভাৱে পৰিপুষ্টি লাভ কৰিছে। এফালে যেনেকৈ অৰ্থব্যক্তি (Perspicuity) আনফালে তেনেকৈ মাধুৰ্য্য আৰু সুকুমাৰতা (gentleness)। এফালে যেনেকৈ ওজস্ (strength) আনফালে তেনেকৈ উদাৰতা আৰু কান্তি। মহাকবিৰ কাব্যত সকলো গুণৰ সুন্দৰ সমাবেশ।

অলঙ্কাৰতকৈ ৰস অভিব্যক্তিত কালিদাসে বেছি কৃতিত্ব দেখুৱাইছে। তেওঁৰ মতেৰে ৰসেই কাব্যৰ আত্মা। অলঙ্কাৰ সাগৰত পৰি দিগ্বিদিক হেৰুৱাই ৰসভ্ৰষ্ট হবলৈ তেওঁ নিদিয়ে। ধৈৰ্য্যচ্যুতি নোহোৱাকৈ কালিদাসৰ দৰে ৰচনা কৌশলেৰে নিৰবচ্ছিন্ন ভাৱে পাঠকৰ মন আকৰ্ষণ কৰিব পাৰে, এনে কবি বিৰল। যমক আৰু শ্লেষপূৰ্ণ কাব্য কাণত সুমধুৰ বাজিব লাগিছে, বিভিন্ন ছন্দৰ গাঁথনিয়ে তাক আৰু সুমধুৰ কৰি তুলিছে। ধাৰাবাহিক সাতাইশটা শ্লোকত তেৰটি বিভিন্ন ছন্দ প্ৰয়োগ কৰি ৰচনা নৈপুণ্যৰ পৰিচয় দিয়া কবি কেইজন? নিৰ্জ্জীৱ পদাৰ্থক

সজীৱ যেন কৰি তোলাত কবিয়ে অস্বাভাৱিক বস্তুতো স্বাভাৱিকৰ বৈশিষ্ট্য ফুটাই তুলিছে। নদ-নদী, গছ-লতাই মানৱৰ দৰে আনন্দত হৰ্ষ প্ৰকাশ কৰিছে, বিপদত শোকাশ্ৰু টুকিছে!

সুধী সমাজে কয়—"উপমা কালিদাসস্য" অৰ্থাৎ আন সকলো কবিৰ ভিতৰত কালিদাসৰ দক্ষতা উপমাত। প্ৰতীচ্য জগত প্ৰাচ্য জগতৰ পৰা অনেক বিষয়ত ভিন। প্ৰাচ্য জগতৰ কাৰ্য্য-কলাপ, ৰীতি নীতি, ধৰ্ম্ম-তত্ত্ব তথা ৰূপক, উপমা, অলঙ্কাৰ, পাশ্চাত্য জগতৰ লগত অনেক প্ৰকাৰে অমিল। কিন্তু মহাকবি কালিদাসৰ কি মুগ্ধকৰী শক্তি যে তেওঁৰ ৰূপক, উপমা, সৌন্দৰ্য্য উপলব্ধি পাশ্চাত্য পণ্ডিত সকলেও আনন্দচিত্তে গ্ৰহণ কৰিছে। কবিৰ নিপুণ লেখনীত দৰ্শনৰ গভীৰ তত্ত্ব, ব্যাকৰণৰ জটিল সমস্যা, নীতিৰ সূক্ষ্ম গৱেষণা, সকলো বিলাকে কাব্যৰ ভিতৰেদি শ্ৰুতিমধুৰ ভাৱে দেখা দিছে। অধিক কি, ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পুৰুষাৰ্থৰ ৰত্নচয় কালিদাসৰ কাব্যৰাজিত বিৰাজিব লাগিছে। অনুসন্ধিৎসুৰ নিমিত্তে যেন সিবিলাকে প্ৰতীক্ষা কৰি আছে। *

* উত্তৰ লক্ষিমপুৰৰ হাতে লিখা "ছাত্ৰ শক্তি"ত প্ৰকাশিত।—লিখক

ছদ্মবেশী

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—উপন্যাস

—শ্ৰীযুত শান্তিৰাম দাস বি-টি

দ্বাদশ আধ্যা

কটকী উইলছন।

ইছাবেলৰ ইষ্টলিনিলৈ আহিবৰ এবছৰ পাৰ হল। তেওঁ সুখ সম্ভোগত থাকিব পাৰিলেহেঁতেন; কিন্তু সকলো সুখৰ পথত কণ্টক হল হি মিছ কৰ্ণেলিয়া। কৰ্ণেলিয়াৰ মানত ইষ্টলিনিত ইছাবেলৰ উপস্থিতিয়েই অশান্তিৰ মূল কাৰণ হ'ল। ইছাবেল নামতহে ঘৰৰ গৃহিণী, কিন্তু কামত হ'লে কৰ্ণেলিয়াহে আচল গৃহিণী। ইছাবেলৰ প্ৰত্যেক কথাতে, সামান্য হলেও, কৰ্ণেলিয়া বাঘিনীৰ বাধা পাবলৈ ধৰিলে। কাৰ্লাইলে সেইবোৰৰ ভু-ভা একো নাপায়। ইছাবেলৰ কৰ্ণেলিয়াৰ লগত বাস কৰা অসহনীয় হৈ উঠিল। লাহে লাহে দুয়োৰে মাজত হাই-কাজিয়া হবৰো উপক্ৰম হ'ল। দৈৱদুৰ্বিপাকত পৰি এজন উকীলৰ গৃহিণী হলেও, হাজাৰ হওক ইছাবেল এজনী লৰ্ডৰ জীয়ৰী—মানে গৌৰৱে তেওঁৰ আসন কৰ্ণেলিয়াতকৈ বহু ওপৰত। অশোভন কথা বাহিৰত প্ৰচাৰ হবৰ ভয়ত তেওঁ অন্যায়-অনাচাৰ, অত্যাচাৰ-উৎপীড়ন সকলো নীৰৱে সহি থাকিল। কাৰ্লাইল ঘৰত নাথাকিলে নিজৰ বুলনি ঘৰত কাকত পত্ৰ কিবা এখন হাতত লৈ তেওঁ সদায় চকুলো টুকি থাকে। মনত অলপো সুখ শান্তি নোহোৱাত পৰিল। কাৰ্লাইলৰ অনুপস্থিতিত তেওঁ যেন এক মুহূৰ্ত্তও ঘৰত নাথাকিব! মন ভালেইহে শৰীৰো ভাল। দিন-ৰাতি মানসিক কষ্টৰ পৰা তেওঁৰ শৰীৰো ভাল নথকাত পৰিল—অসুখ-বিসুখ দেখা দিলেহি।

সুখে দুখে দিন যাৱঁলৈ ধৰিলে। এদিন ৰাতিপুৱা ইছাবেলৰ প্ৰসৱ বেদনা উপস্থিত হল হি। আগৰ পৰা শৰীৰ ভাল নথকাত তেওঁ বৰ দুৰ্ব্বল হৈ পৰিল ; প্ৰসৱ-বেদনাত অস্থিৰ হৈ আঁয়ে-বিয়ে লগালে। কাৰ্লাইল জনা-শুনা শিক্ষিত লোক হলেও সংসাৰ অনভিজ্ঞ—ধোৱা-লোৱা দূৰ্ত্তি কৰা ধৰণৰ মানুহ, তাতে যুৱা বয়স। তেওঁ ৰাষ্কেৰ ওচৰলৈ গৈ ডাক্তৰ আদি অনাৰ পৰামৰ্শ সোধাত বাগিনী ৰাষ্কে, খৰচৰ কথা মনত পৰি জাপ মাৰি উঠিল। ইপিনে ইছাবেলৰ হৃদয় বিদাৰক আৰ্ত্তনাদ আৰু কাহিল অৱস্থাত তেওঁৰ মন অস্থিৰ হৈ পৰিল। কি কৰে এতিয়া? বাগিনী ৰাষ্কেৰ কথাত কাণ নিদি ডাক্তৰ মাতি আনিলেগৈ—কৰ্ণেলিয়াই তাল-আফাল লগালে। কাৰ্লাইল বেগীৰ ওপৰ পাতি অনা আৰু পথ্যাদি সংগ্ৰহ কৰাত লাগিল, মাৰ্ডেল নামৰ বান্দী জনী সুতিকা গৃহৰ দুৱাৰদলিত বহি বোগিণীক পৰ দি থাকিল। কৰ্ণেলিয়াই মাজে মাজে সুতিকা গৃহত দুমুকি মাৰে হি আৰু সোধে হি, "মাৰ্ডেল কিবা বিপদৰ আশঙ্কা আছে নেকি?"

এজন এজনকৈ সুতিকাগৃহলৈ তিনি জন ডাক্তৰ আহিল। বহুত বেলিৰ মুনত ইছাবেলৰ প্ৰসৱ হ'ল—এজনী ছোৱালী। ইছাবেল মৃত্যুৰ মুখৰ পৰা উভতি আহিল। বেচেৰা কাৰ্লাইলৰ উশাহ আহিল। তেওঁ ভগবানক কৰপুটে প্ৰাৰ্থনা জনালে। ইছাবেলৰ গা বৰ দুৰ্ব্বল হৈ পৰিছিল—চিকিৎসা চলিল। ইপিনে দিনে ৰাতি টকা-পইছা ছিলো-ছিচৌ খৰচ দেখি কৰ্ণেলিয়াই ডেই-পুৰি মৰিব ধৰিলে।

কেচুৰাজনী ৰাষ্কিৰলৈ এজনী ধাই লগা হ'ল। পিছ দিনাখন হেঁয়াৰ পৰিয়ালৰ ঘৰত থকা বান্দী উইলছন উপস্থিত হ'ল হি। তাই তাৰ পৰা অহাৰ কাৰণ সোধাত কলে, "মিছ ৰাবৰাবাৰ লগত হাই-কাজিয়া কৰি থাকিব নোৱাৰোঁ। ৰাবৰাবাই মোক ওলাই আহিবলৈ কৈছে মেদাম, সেই দেখি আহিছোঁ। আপুনি যদি দয়া কৰি আশ্ৰয় দিয়ে তেন্তে থাকিব পাৰোঁ।"

ইছাবেলে সুধিলে, "কাম-কাজ ভালকৈ কৰিব পাৰিবি নে? হেঁয়াৰ পৰিয়ালত কি কি কাম কৰিছিলি?"

"তেওঁলোকৰ তাত বেটী-বান্দীৰ কাম কৰিছিলোঁ। আৰু মিছেছ হেঁয়াৰৰ লগতো স্নান-পৈচান ধৰা হৈ আছিলোঁ।"

"কেচুৰা ৰাষ্কিব পাৰিবি নে?"

"সম্প্ৰতি ভালকৈ নোৱাৰিলেও কেদিনমান পিছত নিশ্চয় পাৰিম।"

সংসাৰৰ ছল-চাতুৰিৰ দু-ভা নোপোৱা অনভিজ্ঞ ইছাবেলে কাঠ নিচিনিলে—অচিন কাঠৰ থুৱা লগালে। তেওঁ তাইক কলে,—"ৰাষ্ক, তেনেহলে থাক। কিন্তু ছেড়ি মোৰ লগত থাকিব। তাই খুব বিশ্বাসী। মই তাইৰ বৰ ভাল পাওঁ। তই তাইৰ কথামতে চলিব লাগিব।"

"ভাল মেদাম, আপোনাৰ দয়া।" মুৰ দোঁৱাই উইলছন ওলাই গ'ল। পিছদিনাখন ৰাতিপুৱা ইছাবেল হেলনীয়া চকি এখনত কাণসাৰে শুই আছে। ওচৰৰ কোঠালীটোত জেছি আৰু উইলছন বহি আছে—জেছিয়ে কিবা ছিগাইৰ কাম কৰিছে, উইলছনে কেচুৰাটক কোলাত সুমাই বহি আছে। দুয়ো কোঠালীৰ মাজৰ দুৱাৰখন আধা-মেল খোৱা। দুয়ো কথা পাতিছিল তাৰ মাজতে ইছাবেলৰ নাম উল্লেখ কৰা শুনি ইছাবেলে সেই ফালে কাণ দিলে। দুয়ো বান্দীৰ মাজত কথা চলিল। উইলছনে কলে—

"মানুহজনী একেবাৰে শুকাই-পাঁণাই গৈছে।"

জেছি—কোন?

"মেদাম ইছাবেল। নেদেখিছ নে কেনেজনী আছিল কেনে হল হি। তেওঁ যেন মৃত্যুৰ মুখৰ পৰাহে কিবি আছিল।"

"আঃ, এতিয়া ভালকৈ দেখিছ। এসপ্তাহমান আগতে একেবাৰে শোচনীয় অৱস্থা আছিল। টকা পয়ছাৰ শ্ৰাদ্ধ আৰু মিঃ কাৰ্লাইলৰ অক্লান্ত সেৱা শুশ্ৰূষাৰ গুণে এই বিনি পাইছেহি।"

"হে প্ৰভু! আহা! কিবা দুৰ্ঘটনা হোৱা হ'লে কাৰবাৰ অন্তৰ ভুৰ পৰিল হেতেন।"

"ধেত্, গোৱাকপালী!"

"নহয় জেছি! ইছাবেলৰ এইবোৰ হোৱা দেখি তাই প্ৰত্যেক মুহূৰ্ত্ততে ইছাবেলৰ মৃত্যু খৰৰ আশা কৰিছিল। তাই আগেয়ে যেনেকৈ কাৰ্লাইলক ভাল পাইছিল, এতিয়াও পায়।"

"ধেত্, এইবোৰ মিছা কথা। মিঃ কাৰ্লাইল তেনে মানুহ নহয়, তেওঁ সেইবোৰলৈ চকু-কাণ নিদিয়ে।"

"এঃ নহয় জেছি, তই তেনে একো নাজান। মই নিজে দেখিছোঁ, তেওঁ তাইক চুমা পৰ্য্যন্ত দিছে।"

"যা, যা, তাৰ পৰা কি হব?"

"এঃ নহয়। তাই যে দিনে ৰাতি গলত সেই সোণৰ হাৰগছ আৰু হীৰা খটোৱা চাকিটো পিন্ধি থাকে, সেইটো কোনে দিছে জান? মিঃ কাৰ্লাইলে।"

"কোনে পিন্ধে? যা, সেইবোৰ শুনিবলৈ মই ইচ্ছা নকৰোঁ।"

"ধ-কোনে, তাকো ইমান দিনে নাজান? কেনেই, সেই মিছ ৰাৰবাবাই। তাই হাৰগছ দিনে ৰাতি ডিঙ্গিৰ পৰা নযায়।"

"যা, যা, মনে মনে থাক—ই অশোভন কথা।"

"নহয়, শুনচোন আৰু। মিঃ কাৰ্লাইল যিদিনা ৱেষ্টমিনিষ্টৰ পৰা লেডী ইছাবেলক বিয়া কৰিবলৈ যায় সেই দিনা ৰাতি ৰাৰবাবা কৰ্ণেলিয়াৰ ওচৰলৈ আহিছিল। ৰাতিত ৰাতি হোৱাত কাৰ্লাইলে তাইক আগ-বঢ়াই থবলৈ গৈছিল। বৰ সুন্দৰ ফৰিং ফুটা জোনাক ৰাতি। যেতিয়া তেওঁলোক আমাৰ ফটকৰ দুৱাৰ পালেহি তাতেই এক প্ৰেমদৃশ্য অভিনীত হ'ল।"

জেছিয়ে ঠাট্টা কৰি সুধিলে "তয়ো তাত যোগ দিছিলি হবলা?"

"নহয় জেছি। মই এজনলৈ বাট চাই আছিলোঁ। দেখো যে মিঃ কাৰ্লাইল আৰু মিছ ৰাৰবাবাই দুয়ো থিয়হৈ কথা বতৰা হৈছিল। তাই ডিঙ্গিৰ পৰা কিবা এগছ হাৰ আৰু চাকি এটাও দেখুৱালে। শেহত চুমাচুমি আদি প্ৰেম অভিনয় হল। যদি কোনোজনীয়ে মিছেছ কাৰ্লাইল হবলৈ আকাঙ্ক্ষা কৰিছিল তেন্তে সেই নিশা মিছ ৰাৰবাবাই মিছেছ কাৰ্লাইলৰ ঠাই পুৰাইছিল।" "দুৰ বেটা; তই এতিয়াই কৈছ—যে মিঃ কাৰ্লাইল সিদিনা কেষ্টেল মাৰ্লিঙলৈ বিয়া কৰিবলৈ গৈছিল।"

"মোৰ ভুল হব পাৰে জেছি, কিন্তু ঘটনা সত্য—মই নিজে চকুৰে দেখিছোঁ। তাই আনন্দতে বলিয়া। তই নাজান তেওঁলোকৰ মাজত বহুত অঘটন ঘটিছে, এতিয়া মেদাম অহাৰ বাবেহে মিঃ কাৰ্লাইলে তেওঁৰ বংশ গৌৰৱ, মান সম্ভ্ৰমলৈ ভয় কৰিহে সেইবোৰ এৰি দিছে। কাৰ্লাইলৰ নিচিনা ডেকা প্ৰেমিকক পালে কোন জনীয়ে এৰিব?"

"ধেত, মিঃ কাৰ্লাইল তেনে ধৰণৰ মানুহ নহয়।"

"আৰু কওঁ শুন তেনেহলে। বিয়া হৈ যোৱাৰ পিছত বিয়াৰ খৰৰ দিবৰ নিমিত্তে মিছ কৰ্ণেলিয়া আমাৰ ঘৰলৈ গৈছিল। মই মিছেছ হেঁয়াৰৰ শোৱনি ঘৰত আছিলোঁ—থিৰিকিণৰ মেলা আছিল। যেতিয়া কৰ্ণিয়ে ৰাৰবাবাৰ আগত লেডী ইছাবেলৰ লগত কাৰ্লাইলৰ বিয়া হৈ যোৱা বুলি কলে তাই কিবা আনিবৰ ছল কৰি তাৰ পৰা সাউতকৰে ওলাই তাইৰ শোৱনি ঘৰ পালেগৈ আৰু মজিয়াতে অচেতন হৈ দীঘল দি পৰি থাকিল। অলপ পিছত শুনো তাই হা-হুতাহৰ জুমুনিয়াহ কাঢ়িবলৈ ধৰিছে। মই গৈ দেখো যে তাইৰ সেই অৱস্থা। মই তাইক নামাতি হাতত সাৰে ভৰিত সাৰে ওলাই আহিলো।"

"তাইনো ইমান মূৰ্খ নে? যি জনে তাইক ফিৰি নাচায় সেইজনৰ বাবে তাই ইমান বাউল।"

"ভাল কৈছ। তেওঁ জানো তাইক ফিৰি নাচায়? থৈ দে। সিদিনাখন তাই মাক বাপেকৰ লগত দৰা-কইনা চাবলৈ নাহিছিল নে মনত আছে?"

"আছে।"

"মাক বাপেক ওছি গলগৈ, কিন্তু তাই হলে ৰাতি ১০ বজাতে থাকিল। কেলেই? ৰাতি হোৱা দেখি

তাইক নিবৰ নিমিত্তে জষ্টিছ হেৱাৰে মোক পঠাই দিলে। অলপ দূৰ আহোঁতেই কি দেখিলোঁ জান ?"

"বোধহয় সাপ বা বেঙ।"

"ধেত। বাৰবাৰা আৰু কাৰ্লাইল। তেওঁলোকে তাত কি কৰিছিল, তেওঁলোকেহে জানে। তাই বেৰা এখনত হেলান দি আছিল আৰু নিৰাশাৰ হা হুমুনিয়াহ কাঢ়িছিল। মই দেখা দিয়া নাছিলোঁ, দূৰৰ পৰা শুনিলোঁ তাই যেন তেওঁক কিবা গালি শপনি পাৰিলে। তেৱো কলে হেনো সিদিনাৰ পৰা দুয়ো ভাই ভনী যেন হৈ থাকিব। মোক দেখা পাই মিঃ কাৰ্লাইলে তাইক বেৰাখন পাৰ কৰি দিলে। তাই তেওঁক যাবলৈ কলে কিন্তু তেওঁ উভতি নাহি বৰং তাইৰ হাত ধৰি—আমাৰ ঘৰৰ ফালেহে খোজ ললে। মই আগবাঢ়ি দুৱাৰখন মেলি থৈ ঘৰ পালোঁগৈ। দেখিলো কাৰ্লাইলে মূৰটো নমাই তাইৰ মুখৰ ওচৰলৈ নিয়া আৰু তায়ো হাত দুখনেৰে তেওঁক সাবট মাৰি ধৰা। পিছত কি হ'ল—নাজানো জেছি।"

জেছিয়ে ঘৃণাপূৰ্ণ সুৰেৰে কৈ উঠিল, "তেনেহলে তাই মহামূৰ্খ। তাই এতিয়াও মিঃ কাৰ্লাইলৰ লগত তেনে ব্যৱহাৰ কৰে। ছিঃ ছিঃ !"

"তাই সদায় তেনে কৰিব জেছি। তাই সদায় কাৰ্লাইললৈ বাট চাই থাপ লৈ থাকে। কাৰণ কি ? তাইৰ অশান্তি ভৰা হৃদয় আৰু মেদাম ইছাবেলৰ প্ৰতি সতিনী হিংসা নহয়নে বাৰু ? আহা জেছি ! যদি মিঃ কাৰ্লাইলে কোনোৰূপে বেজাৰ পাই লেডী ইছাবেলক এৰে——।"

"মনে মনে থাক উইলছন।" বুলি জেছি গৰজি উঠিল।

"নহয় জেছি ! এই কেচুৱা পোনাটিৰ কি বিলাই হব ? সতিনীৰ লৰা ছোৱালীক সতিনীয়ে ভাল পাবনে ?"

জেছিয়ে ধমক্ দি কলে, "মুখ চম্ভালি কথা কবি উইলছন। যদি এনেভাৱে চল, তেন্তে তোৰ আজিয়ে বিদায়।"

উইলছনে উপায় নাপাই গদ্‌গদ্‌কৈ কিবাকিবি বকি মনে মনে থাকিল। ইছাবেলে কগ্ন শয্যাত পৰি এইবোৰ কথা শব্দই শব্দই শুনিলে। অৱশ্যে চাকৰ বান্দী আদিৰ কথাত কাণ দিয়া অনুচিত। কিন্তু আধা মৰা, আধা জীয়া নৰিয়া অৱস্থাত পৰি থকা ইছাবেলৰ এইবোৰ কথা অসহনীয় হৈ উঠিল। তেওঁৰ ধাৰণা হ'ল—কাৰ্লাইলে তেওঁক ভাল নাপায়। তেওঁক যে বিয়া কৰাইছে সি কেৱল বংশগৌৰৱ আদি উচ্চাভিলাষৰ আশাত, আন কাৰণে নহয়। তেওঁ মন-প্ৰাণ বাৰবাৰা হেয়াৰক অৰ্পণ কৰিছে। ইছাবেলৰ অন্তৰত সতিনী হিংসাৰ দাবানল জ্বলি উঠিল। জ্বৰ আহিল—লগে লগে প্ৰলাপ বকিবলৈ আৰম্ভ কৰিলে।

খাবৰ সময়ত কাৰ্লাইলে আহি দেখে যে ইছাবেলে অস্থিৰ ভাবে শেঁতা পৰি প্ৰলাপ বকিছে। তেওঁ মাত লগালে, "ইছাবেল, তোমাৰ অসুখ বেছি হ'ল ?" ইছাবেল শোৱাৰ পৰা আধা উঠি উত্তেজনাত হাত দুখনেৰে তেওঁক সাবট মাৰি ধৰিলে—" ও আৰ্কিবল, তাইক বিয়া নকৰিবা মই মোৰ সমাধিতো শান্তি পাবৰ নহয়।"

কাৰ্লাইলে ভাবিলে দুৰ্ব্বলতাৰ বাবে ভুল বকিছে। তেওঁ লাহে লাহে সান্ত্বনা দিবৰ চেষ্টা কৰিলে। কিন্তু কান্দি কান্দি ইছাবেলে বেছিকৈহে বকিবলৈ ধৰিলে, "তাই মোৰ ছোৱালীজনীক অত্যাচাৰ কৰি মাৰি পেলাব। তাই মোৰ মৰম চেনেহ ফেৰা কাঢ়ি নিব। অৰ্কিবল, মোৰ শপত লাগিব—তুমি তাইক বিয়া নকৰিবা।"

"সপোন দেখিছা ইছাবেল ? টোপনিত পৰিছিলা, তুমি সজাগ থাকা নাই। মনে মনে থাকা। কল্যাণি! এই মোৰ কোলাতে শুই থাকা।"

"তাইক তোমাৰ স্ত্ৰী বুলি ভাবিলেই মোৰ অন্তৰ বিদীৰ্ণ হয় আৰ্কিবল। শপত খাই কোৱা যে তাইক বিয়া নকৰিবা। শপত খোৱা আৰ্কি !"

"সময়ত সকলো শপত খাম, কিন্তু তুমি কি কৈছা মই একো বুজা নাই। মই আন এজনী বিয়া কৰোৱা অসম্ভৱ কথা ইছাবেল। তুমিয়েইতো মোৰ তিৰোতা।"

"কিন্তু যদি মই মৰোঁ ? তুমি জানা মই মৰিব পাৰো বহুতে ভাবে মই মৰিব পাৰোঁ, মোৰ অৱস্থা বৰ বেয়া আৰ্কি।"

"মনে মনে থাকা। কৰ কি কথা এইবোৰ ? কাক লক্ষ্য কৰি কৈছা ? মই একো ধৰিব পৰা নাই।"

"আৰ্কি মোক বিয়া কৰোৱাৰ আগৈয়ে তুমি কাকো ভাল পোৱা নাছিলা নে ? বোধহয় তুমি তাইক তেতিয়া ভাল পাইছিলা, এতিয়াও সম্পূৰ্ণ ভালপোৱা।"

"কাৰ কথা কৈছা ইছাবেল ?"

"মিছ বাৰবাৰা হেয়াৰ।"

কথাশুনি কাৰ্লাইলৰ কপালৰ শিৰ কেউডাল থুপ খালে। তেওঁৰ বৰ খং উঠিল। তেওঁ গম্ভীৰ মূৰ্ত্তি ধৰি গহীন ভাৱে সুধিলে, "ইছাবেল, মোৰ আৰু বাৰবাৰাৰ মাজত এইবোৰ ভুল ধাৰণা কেনেকৈ তোমাৰ মূৰত সোমালহি ? মই বাৰবাৰাত কেতিয়াও আসক্ত হোৱা নাছিলোঁ—মোৰ মগজুত এই কথা বিয়াৰ আগে বা পিছে কদা-কাচিতো উদয় হোৱা নাছিল। তুমি এইবোৰ কেনেকৈ জানিলা ? মোক কব লাগিব।"

"কিন্তু তাই তোমাক ভাল পাইছিল।"

কাৰ্লাইলে সকলো কথা ঘাটি-ঘুটি বিবেচনা কৰি কলে, "পাব পাৰে। যদি তাই মোক ভাল পাইছিল, তেন্তে মই নাজানো। তাইৰ সেইটো ভুল ধাৰণা।"

ইছাবেলে হুমুনিয়াহ কাঢ়িলে ; অলপ স্বস্তি বোধ কৰিলে ; মনৰ খু-দুৱনি আঁতৰিল। শৰীৰ মন অলপ শান্ত হ'ল। তেওঁ এবছৰ আগৈয়ে জেছি আৰু চুছানে কোৱা-কুই কৰা কথাষাৰো কব খুলিছিল—কিন্তু আশাভঙ্গ কথা দেখি মনতে দমাই ৰাখি মনে মনে থাকিল। কাৰ্লাইলে অলপ পৰ টলকা মাৰি থাকি সুধিলে, "ইছা, তোমাক এইবোৰ কথা কোনে কলে ?"

"কোনেও কোৱা নাই। কাৰবাৰ সাহ আছেনে ?"

"তেনেহলে তুমি সপোন দেখিছিলা ? সাৰ পাই উঠিও সেইবোৰ পাহৰিবলৈ নোৱাৰিলা ?"

"এৰা, সপোন দেখিছিলোঁ—আচৰিত আচৰিত কথা—বিশেষকৈ যেতিয়া জ্বৰ উঠে আৰু দুৰ্ব্বল হওঁ।"

কাৰ্লাইল সৰলচিতীয়া মানুহ। সেইটোকে সম্ভৱ বিবেচনা কৰি ইছাবেলক আৰু দুনাই প্ৰশ্ন নকৰিলে।

সতিনী হিংসা অগণি প্ৰলয়কাৰী। ই সহজে কিয়, কেতিয়াও ওলাই নাযায়—। ইছাবেলে সুখ সম্ভোগত দিন নিয়াব ধৰিলে হয় কিন্তু তেওঁৰ মনৰ পৰা—দিনৰাতি মিছ বাৰবাৰা হেয়াৰক আঁতৰাব নোৱাৰিলে।

ত্ৰয়োদশ আধ্যা

ৱেষ্টলিনিত কেপ্তেন থৰ্ণ

মুকলি বতৰ। মিছেছ হেয়াৰে বাত বিষৰ পৰা অশেষ ভুগি ভুগি গা টঙ্গাই উঠিল। বাৰাবাৰাই বজাৰলৈ যোৱাৰ ছল কৰি ফুৰিব যাবৰ নিমিত্তে মাকক ফুচুলালে। মাকৰ গা-মন ভালে আছিল গুণে মান্তি হ'ল। দুয়ো ফুৰিবলৈ যাবৰ ইচ্ছা কৰি জষ্টিছ হেয়াৰক গাৰীখন দিবলৈ বৰকৈ কাবৌ-কাকুতি কৰিলেগৈ। জষ্টিছেও বহুত আগ পিছ গুণি গাৰোৱানক লগত দি মাক-জীয়েক হালকে বজাৰলৈ পঠালে ফুৰিবলৈ বুলি। কিন্তু লগতে সাৱধানী বাণী থাকিল, "চাবা যাতে বাৰবাৰাই বেছি খৰচ নকৰে তোমালোকে সোনকালে উভতিবা, বেছি পলম নকৰিবা।"

দুয়ো ৰংমনেৰে ফুৰি ফুৰি এখন দোকানত সোমালগৈ। ৱেষ্টলিনিত মিঃ কাৰ্লাইলৰ অফিচৰ ওচৰতে। ৰেছমী কাপোৰ চাই মিলাব খোজোতেই দেখে যে তেওঁলোকে নিয়া নমুনাটো হাতত নাই। বাৰবাৰাই বেগটো গাৰীত থকা ভাবি গাৰীলৈ উভতি আহিল। গাৰোৱানে সৈতে দুয়ো গাৰীত পিট পিটকৈ বিচাৰিলে—নাপালে। উভতিবৰ মন কৰি ৰাজবাটৰ ফালে চাওঁতে বাৰবাৰাৰ চকুত পৰিল এজন আটক ধুনীয়া চফল ডেকা। সেই ৰ'দৰ তলে তলে সেই ফালে আগবাঢ়ি আহিছে। ডেকাজনৰ সাজপাৰ, চলন-ফুৰণ, বাস্তৱিকে মন কৰিব লগীয়া। ঘড়ীৰ চেইন, ছাবি আদি ৱেষ্টকোটৰ জেপৰপৰা ওলাই চিক্ মিককৈ জিলিকি আছে। কামিজৰ বোতামবোৰ সোণখটোৱা। হাতমোজা নিপিন্ধা বগা হাতখন গোঁফ পাক দিবলৈ উলিয়াওঁতে দেখা গল কি সুন্দৰ চকুত চমক লগোৱা হীৰা খটোৱা আঙঠি জিলিকি আছে। বাৰবাৰাৰ হঠাৎ মনত পৰিল

ককায়েক বিচার্ডে কৈ যোৱা মানুহজনৰ বিৱৰণটো। বাৰবাৰাই ডেকাজনলৈ বাট চাই থাকিল—গাৰীত কিবা বিচবা ছলকৰি। ডেকাজনৰ বয়স ২৭।২৮ বছৰ; ওখ, পাতল, কলা চকু, কলা চুলি, মুখ আনন্দৰ জেউতি ভৰা, বেছ আটক ধুনীয়া চফল ডেকা। সি আপোন মনেৰে ৰাজআলিয়েদি গৈ আছে। তাক দেখি আলিৰ সিপাৰৰ পন্থা অটৱে বিদেলে মাত লগালে, "খৰ্ণ নেকি হে? শুনা, শুনা।" ডেকা জনে বোধহয় শুৱতিনিলে, সি গৈ থাকিল। বিদেলে ইবাৰ ডাঙৰকৈ মাতিলে, "কেপ্তেন খৰ্ণ!" খৰ্ণে ফিৰি চাই দেখে বন্ধুৰ বিদেল। দুয়ো হাঁহি হাঁহি লগ লাগিল হি। বাৰবাৰাই সপোন দেখাৰ দৰে সিহঁতৰ ফালে ৰ'-লাগি চাই থাকিল।

"বেগটো ধৰা আইদেও, সেই কাপোৰৰ মাজতে আছিল," বুলি বেঞ্জামিন গাৰোৱানে বাৰবাৰাৰ ফালে বেগটো আগবঢ়াই দিলে। কিন্তু বাৰবাৰাৰ কোনো ফালে চকু কাণ নাছিল; বাহ্যিক সংসাৰৰ কথা পাহৰিছিল। তাইৰ অন্তৰ বাদ্যত অন্য ভাৱনাৰ তোলপাৰ লাগিছিল। সেই ডেকাজনেই যে ককায়েকে কোৱামতে হেলিজন চাহাবৰ আচল হত্যাকাৰী তাত সন্দেহ নাই। বিচার্ড হেঁয়াৰে যি যি বিৱৰণ দিছিল সেই ডেকাজনৰ লগত খাপে খাপে মিলি গৈছে—নামো সেই কেপ্তেন খৰ্ণ। বাৰবাৰাৰ অন্তৰ কঁপি উঠিল—মুখ শেঁতা পৰিল। বাৰবাৰাই অলপ দূৰৈত ডাক্তৰ ওৱেনক দেখা পাই তেওঁৰ ওচৰ চাপিলগৈ। মনৰ উত্তেজনাতে ভন্তাৰ খাতিবত নমস্কাৰ পৰ্য্যন্ত নিদিয়াকৈ আ�ৰম্ভ কৰিলে, "মিঃ ওৱেন, বিদেলৰ লগত কথা পাতি থাকা সেই ডেকাজনৰ ফালে লক্ষ্য কৰিছে নে? সেই ডেকাজন কোন?"

ডাক্তৰ ওৱেনে চকুত বিত-চকু জোৰ লগাই কলে, "সেই জন? অ, তাৰ নাম কেপ্তেন খৰ্ণ। হাবৰাৰ্টক দেখা কৰিবলৈ আহিছে চাগৈ।"

"বাক সি কত থাকে? কব পৰা আহিছে?"

"সেইবোৰ মই একো নাজানো। আজি ৰাতি পুৱাহে মই তাক দেখিছো। মই সোধাত সি কৈছে, হাবৰাৰ্ট বোলে তাৰ বন্ধু।" বাৰবাৰাৰ চঞ্চল মূৰ্ত্তি দেখি সুধিলে, "তোমাৰ কি হৈছে বাৰবাৰা?"

বাৰবাৰাই প্রশ্নোত্তৰ নিদিয়াকৈ ওৱেনক নমস্কাৰ জনাই মাকৰ ওচৰলৈ দৌকানলৈ খোজ ললে, কিন্তু চকু থাকিল বাটে বাটে গৈ থকা কেপ্তেন খৰ্ণৰ ওপৰত—মন থাকিল হেলিজনৰ হত্যাজনিত ঘটনা উদ্ঘাটনত।

বাৰবাৰাক শেঁতা পৰি পলমকৈ যোৱা দেখি মাকে সুধিলে—"কিয় পলম কৰিলা আইটি? তোমাৰ কিবা অসুখ হল নেকি?"

"একো হোৱা নাই, মাম্মা। সোনকালে বজাৰৰ কাম শেষ কৰোগৈ বলা।" দুয়ো লৰালৰিকৈ বজাৰৰ কাম শেষ কৰিলে। কি কিনিলে, কি ললে বাৰবাৰাই নজৰ নকৰিলে। তাইৰ মন অন্য ঘটনাত মগ্ন।

বাৰবাৰা আক মিছেজ হেয়াৰ ঘৰ পালেগৈ। বাৰবাৰা নিজৰ শোৱনি ঘৰত সোমাই ভাৱনা সাগৰত বুৰ মাৰিলে, "এতিয়া উপায়? মইতো নিজে একো কৰিব নোৱাৰোঁ। কার্লাইলক কেনেকৈ লগ ধৰি এই ঘটনাৰ কথা জনাওঁ?" তাইনো কি ছল কৰি কার্লাইলৰ ঘৰলৈ যাব তাকে চেলু বিচাৰিব ধৰিলে। শেহত কিবা বেহুমী কাপোৰৰ নমুনা দেখুৱা ভাওজুৰি মাক-বাপেকৰ অনুমতি ললে আক থাই বৈ উঠি তাই ইষ্টলিনিত কার্লাইলৰ ঘৰত উপস্থিত হলগৈ।

তেওঁ প্রথমতে মিছ কৰ্ণিৰ বিচাৰ ললে—জানিব পাৰিলে যে তেওঁ ঘৰত নাই। শেহত উপায়ন্তৰ নেদেখি বাধ্য হৈ আচল উদ্দেশ্য মিঃ কার্লাইলক লাগে বুলি চাকৰহতক কলে। কার্লাইল ইছাবেলৰ শোৱনি ঘৰৰ ভিতৰত আছিল। ঘৰৰ জনোৱাত তেওঁ ওলাই আহিল। বাৰবাৰাই এবছৰ আগেয়ে যে কার্লাইলক দেখা কৰিছিল সেই দিন ধৰি আক দেখা সাক্ষাৎ হোৱা নাছিল। ভয়, লাজ, সন্দেহ সকলোকে হেঁচা মাৰি কাতিকৈ থৈ সংযতভাৱে কলে, "মিঃ কার্লাইল, আপোনাক অলপ বেজাৰ দিবলৈ আহিলোঁ, ক্ষমা কৰিব।"

"নহয়, বাৰবাৰা নহয়।"

"মই মিছ কৰ্ণিক বিচাৰি আহিছোঁ যদিও আচলতে আপোনকহে লাগে। বিচার্ডে কৈ যোৱা হেলিজনৰ

ভন্তাকাণ্ডৰ আচল দোষী কেপ্তেন খৰ্ণৰ কথা আপোনাৰ ৰোধহয় মনত আছে।"

"এবা মনত আছে। পিছে?"

"মোৰ যদি ভুল হোৱা নাই, তেন্তে সি ৰেষ্টলিনিত আছে হি।"

কার্লাইলে আগ্রহেৰে কৈ উঠিল, "সি! সেই একে খৰ্ণ?"

"তাত বাহিৰে অন্য কোনো নহয়।" বাৰবাৰাই কেতিয়া, ক'ত, খৰ্ণক দেখিলে, সমস্ত বিবৰি কলে। বিদেল লগত কথা পতাও কলে, ডাঃ ওৱেনে দেখা আক চিনি পোৱা কথা, তাকো কলে। কথা শুনি কার্লাইলে ৰণে, "আচৰিত যেন লাগে বাৰবাৰা। মইতো ৰেষ্টলিনিত কোনো নতুন অচিনাকি মানুহ দেখা পোৱা নাই।"

"মিঃ কার্লাইল, সেইজন নিশ্চয় খৰ্ণ হয় কোনো ভুল নাই।"

কার্লাইলে এপন হাত কপালত দি সুধিলে, "তেনেহলে এতিয়া কি কৰিব লাগে? কি কৰা উচিত, ঠিক কৰা ঘৰ টান, বাৰবাৰা। অৱশ্যে মানুহজনৰ বিৱৰণ তুমি যি দিলা, বিচার্ডে দিয়া বিৱৰণে সৈতে তেনেই মিলে। মানুহজনক ভদ্রলোক যেন দেখিনে?"

"নিশ্চয়, নিশ্চয়, খুব ভদ্রলোক—বেছ আটক ধুনীয়া চফল ডেকা।"

কার্লাইলৰ মনত পৰিল—বিচার্ডে কৈছিল যে সি একেবাৰেই ধুনুপেঁচৰ প্রতিমূর্ত্তি—বেছ ফাট্‌ফিট ধুনীয়া ডেকা। "বাক, বাৰবাৰা, কি কৰিব পৰা যায় চাম। কিবা কথা উলিয়াব পাৰিলে তোমাক জানিবলৈ দিম।"

বাৰবাৰা যাবলৈ থিৰ হ'ল। কার্লাইল লাহে লাহে কথাবাৰ্তা কৈ বাৰবাৰাৰ লগত ওলাই গল; ফটক পাৰ হৈ আলিৰ চোক পালেগৈ। ইপিনে সতিনী দাহত ডেই পুৰি মৰা ইছাবেলে খিজিকীৰে সেই দৃশ্য ৰ-লাগি চাই থাকিল।

কার্লাইলে বাৰবাৰাক বিদায় দি উভতি খোজ লওঁতেই দূৰৈত দুজন ডেকাক সেইফালে অহা দেখিলে। তাৰে এজন হাবৰাৰ্ট আৰু আন জনক তেওঁ চিনি নাপালেও অন্তৰে কৈ উঠিল কেপ্তেন খৰ্ণ। তেওঁ সিহঁতৰ আগমন বাট চাই থাকিল। হাবৰাৰ্টে কার্লাইলক দেখিয়েই কলে, "গুডমর্ণিং মিঃ কার্লাইল। এওঁ কেপ্তেন খৰ্ণ, মিঃ কার্লাইল। চিনা আছে নে?"

কার্লাইলে দুয়োকে ঘৰলৈ মাতি আনিলে আৰু জা-জলপান দিহা কৰিলে। টম্ হাবৰাৰ্টে হেলনীয়া চকি এখনত খণং কৈ বহি চিগাৰ এটা জ্বলাই কলে "আহা, খৰ্ণ বহা।"

কেপ্তেন খৰ্ণে কার্লাইলক এবাৰ চাই ললে। টমে আৰম্ভ কৰিলে, "মিঃ কার্লাইল, মিছেজ কার্লাইল ভালে আছেনে?"

"এতিয়াও গা সম্পূর্ণ ভাল হোৱা নাই, বৰ দুৰ্ব্বল।"

"আহা, ভগৱানে সোনকালে আৰোগ্য কৰক। মিঃ কার্লাইল, তেওঁৰ আগত মই অহা বুলি কব আক কব যে মই তেওঁৰ নৰিয়াৰ নিমিত্তে বৰ দুঃখিত।"

কার্লাইলে তেওঁক আশ্বাস দি খৰ্ণৰ ফালে চাই সুধিলে, "আপুনি এইবাৰ ঠাই চিনি পাইছেনে?"

কেপ্তেন খৰ্ণে হাঁহি মাৰি উত্তৰ দিলে,—"মই কালি গধূলি মাত্ৰ ৰেষ্টলিনিলৈ আহিছোঁ।"

"আপুনি তেনেহলে ইয়ালৈ আগেয়ে অহা নাছিল?"

"নাই, ডাঙৰীয়া নাই।"

টম্ হাবৰাৰ্টে মাজতে কবলৈ ধৰিলে—"এওঁ আক আমাৰ জেক্ দুয়ো একে সৈন্যদলত কাম কৰে। জেক্ ঘৰতে আছে হি। এওঁক মাছ চিকাবলৈ মাতি আনিছিল। এতিয়া সি কোনো বিশেষ কাৰণে আয়োৰ্ণ্ড সৈন্যাধ্যক্ষ ওচৰলৈ ওছি গল গৈ। কাজেই এৰো কাইলৈ মানে যাবগৈ।"

মাছ চিকাবৰ কথা ওলাল। বাদ প্রতিবাদৰ মাজত কেপ্তেন খৰ্ণে এলোপাও নামে এটা পুখুৰী আক তাৰ বিখ্যাত ঈল্ মাছৰ কথা কলে। কার্লাইলে তাৰ ফালে

কেৱাহিকৈ চাই সুধিলে, "কোন পুথুৰীৰ কথা কলে? আমাৰ ইয়াত ওচৰা ওচৰিকৈ একে নামৰে দুটা পুথুৰী আছে।"

"ইয়াৰ পৰা তিনি মাইল আঁতৰত থকা পুথুৰীটোৰ হে কথা কৈছোঁ। বোধহয় সেইটো অৰ্পি চাহাবৰ।"

কথাখিনি কার্লাইলে হাঁহি মাৰি কলে, "বোধহয় আপুনি কিছুদিন ইয়াত অছিল হি কেপ্তেন থৰ্ণ। নহলে এইবোৰ ঠাই কেনেকৈ জানিব? অৰ্পি চাহাব ডুকাইছে আৰু সেই পুথুৰীটো আজি ২৩ বছৰ খুতি পেলাইছে।"

কথাৰ গতি-কোনোবা ফালে যোৱা যেন দেখি কেপ্তেন থৰ্ণ সাৱধান হ'ল। কলে, "মই এজন বন্ধুৰ মুখৰ পৰাহে এইবোৰ শুনিছো ডাক্তৰীয়া।"

তাৰ পিছত কথাই কথাই বুধিয়ক কার্লাইলে চোৱেন চানৰ কথা উলিয়ালে—কাৰণ বিচার্ডে কৈছিল যে কেপ্তেন থৰ্ণ গধুলি পৰত চোৱেন চানৰ ফালৰ পৰা সদায়—ঘোৱাত উঠি আহিছিল। কেপ্তেন থৰ্ণক সোধত সি কলে, "অলপ—অলপ জানো। মই তাত কিছুদিন আছিলোঁ হি।" মিঃ কার্লাইলৰ প্ৰায় বিশ্বাস হল—বিচার্ড আৰু বাৰবাবাই কোৱা কথা মিছা নহয়। সিহঁতে কোৱা বিৱৰণো এই মানুহজনৰ গাত সোণত সুৱগা মিলাৰ দৰে মিলি গৈছে। কাৰণ তেতিয়াও সি হাতত দুটা আঙুঠি পিন্ধিছিল এটাত চিলমোহৰ মাৰা আৰু আনটো হীৰা খটোৱা খুব সুন্দৰ চিকমিককৈ জ্বলি থকা। হাত দুখনো লনি, কমালৰ এসেজৰ গোন্ধত গোটেই কোঠালী আমোলমোল। ডেকাজন বেছ আটৰ ধুনীয়া। মিঃ কার্লাইল খন্তেকৰ বাবে ওলাই গ'ল—আৰু জেছিক মাতি আনি কলে, "জেছি, তই এতিয়াই কিবা পানীহেই হক বা আন কিবা এবিধ হাতত লৈ আমি বহা কোঠালীত দি আহিবিগৈ আৰু মিঃ টম্ হাৰবার্টৰ লগত বহি থকা ডেকাজনক ভালকৈ চাই চিতি আহিবি। বোধহয় তই তাক আগেয়ে দেখিছ।"

কার্লাইল আগৰ ঠাইত বহিল হি। জেছিয়ে কর্ত্তাৰ নির্দ্দেশ মতে হাতত এগিলাছ পানী লৈ চৰা ঘৰত সোমাল আৰু পানী গিলাছ মেজৰ ওপৰতে থৈ আন আন বস্তুবোৰ ভাগ লগাই থৈ গ'ল—ডেকাজনক চাইচিতি। বন্ধুকক বিদায় হ'ল। কার্লাইলে জেছিক মাতি আনি শুধিলে, "তাক চিনি পাৱনে?"

"নাপাওঁ দেউতা। একেবাৰেই অপৰিচিত যেন লাগিল।"

"তাহানিৰ পুৰণি কথা—তহঁতৰ ঘৰৰ কথা মনত কৰচোন। আগেয়ে তাক দেখা নাছিলিনে?" জেছিয়ে থতমত খাই চিনি নাপাওঁ বুলি কলে।

"এই ডেকাজনেই সদায় গধুলি পৰত চোৱেন চানৰ পৰা ঘোৱাত উঠি এফিৰ ঘৰলৈ নাহিছিল নে? নামটো হলে একে। মই অনুমান কৰোঁ—মানুহজনো একে হব লাগে।" "কব নোৱাৰো দেউতা। মই এদিন মাথোঁ তাক দেখিছিলোঁ। এই ডেকাজনৰ মুখৰ চেহেৰা আৰু তাহানি দেখা থৰ্ণৰ চেহেৰা একে নহয় যেন লাগিল। দুয়ো জনেই একে মানুহ বুলি মোৰতো অনুমান নহ'ল।"

জেছিৰ পৰা একো শুং-সূত্ৰ উলিয়াৰ নোৱাৰি শিছ দিনাখন বিদেহক লগ ধৰিলেগৈ। সুধিলে—"টম্ হাৰবার্টৰ লগত থকা কেপ্তেন থৰ্ণৰ লগত তোমাৰ চিনা পৰিচয় আছেনে?"

"এবা অলপ অলপ আছে। কেলেই, কি লাগে?"

"বিদেল, একি হেলিজনৰ ঘৰত আমোদ-প্ৰমোদ কৰিবলৈ মোৱা ডেকাজন এৰেই নহয় নে? যদি কব পাৰা কোৱা বিদেল।"

বিদেল কিছুপৰ নিমাত থাকিল—যেন কথা শুনি আচৰিত হ'ল। শেহত কৈ উঠিল—"একেবাৰে মিছা কথা। কেলেই, এওঁ থৰ্ণৰ বাহিৰে কোন থৰ্ণ মিঃ কার্লাইল?"

"তুমি দেখোঁ ধান খিত নোহোৱা কবি পেলালা। যি থৰ্ণ হেলিজনৰ হত্যাকাণ্ডত লিপ্ত আছিল বা লিপ্ত থকা বুলি সন্দেহ হয় সেই থৰ্ণৰ কথা সুধিছো। এৰেই সেই কেপ্তেন থৰ্ণ হয়নে?"

"কুমিতো এটা গাধ মিঃ কার্লাইল। তোমাক মই ইমান গাধ বুলি জনা নাছিলো। মই আগেয়ে কৈছো যে থৰ্ণ বোলা কোনো মানুহ একৈ প্ৰেমত পৰা নাই। মোৰ কথা কিয় বিশ্বাস নকৰিলা? আজিলৈ মই কোনো

থৰ্ণকে লগ পোৱা নাছিলোঁ—কালিহে হাৰবার্টৰ ঘৰত থৰ্ণক দেখিলোঁ। যদি শপথ খাব লাগে, শপথ খাওঁ কব পাৰোঁ।" এই খিনি কৈয়ে বিদেলে কার্লাইলক এবি ওচৰ গল! কার্লাইলৰ মগজুত থৰ্ণ সম্বন্ধীয় কথাবোৰে হোল-পাৰ লগাগে। থৰ্ণৰ নাম শুনিহেই বিদেলৰ থং উঠিছিল আৰু মুখ বিবর্ণ হৈছিল। এতিয়াও নাম শুনা মাত্ৰকে থং উঠে—আৰু মুখ বিবর্ণ হয়। ইয়াৰ কাৰণ কি? কার্লাইলে নিশ্চয় কৈ বুজিলে যে বিদেলে এই ঘটনাৰ কথা কিছু নহয় কিছু জানে। কিন্তু জানিলে কি হব—অনুমানৰ ওপৰত নির্ভৰ কৰি এনেকুরা সাংঘাতিক কামত হাত দিবলৈ নোৱাৰিলে।

কার্লাইল অফিচলৈ যাওঁতে বাটতে হাৰবার্টক লগ পালে। তেওঁক সুধিলে "কিহে কেপ্তেন থৰ্ণ ইয়াত আৰু কিমান দিন থাকিব?"

"এঃ তেওঁ গল নহয়নে? মই এই মাত্ৰ তেওঁক গাৰীত তুলি দি আহিলোঁ। জেক নথকাত ওচি গল গৈ। জেক ঘৰলৈ আহিলে আকৌ আহিব।"

কার্লাইল ঘৰলৈ যাওঁতে বাটতে মিছ বাৰবাৰাক লগ ধৰিলে। তাই অধৈর্য্য হৈ সুধিলে, "কিবা পালেনে?"

"সুবিধাজনক কোনো খবৰ উলিয়াব পৰা নাই। মানুহজন গ'ল।"

"গল? ইমান সোনকালে? বোধহয় সি কিবা গম পালে। এতিয়া একো উপায় নাইনে?" "সম্প্ৰতি একো উপায় নাই। ধৈর্য্য ধৰি থাকা। সময় আহিলে কি কৰিব পৰা যায় চাম।"

আহা! বেচেৰা বিচার্ড! কিমান দিন ছদ্মবেশে বনবাস খাটিবা।

—আগলৈ

নগা-জাতি

—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা

মাজে মাজে "আৱাহন" ত "নগা-জাতিৰ" সম্বন্ধে দুই এটা প্ৰবন্ধ দেখা যায়। বাস্তবিকতে, প্ৰাকৃতিক অসমৰ এই লৰা-ছোৱালীবিলাকৰ সম্বন্ধে বৰ্ত্তমান অসমীয়া লিখক সকল বৰ উদাসীন হৈ আছে। এনে জাতি গঠনৰ দিনত, কোনো যোগ্য অসমীয়া ডেকাই অসমৰ পাহাৰী ভাই-ককাই বিলাকৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ, স্বভাৱ চৰিত্ৰ, আনন্দ-বিষাদ, সমাজ-ধৰ্ম্ম ইত্যাদিৰ বিশদ আলোচনা কৰি অসমীয়া ভাষাত প্ৰবন্ধ কিম্বা কিতাপ লিখিলে, সমগ্ৰ অসমীয়া জাতিৰ মঙ্গল সাধন কৰা হয়। যিদিনা আমি ভৈয়াম আৰু পৰ্ব্বত উভয়বে মানুহ একেলগে, একে সভ্যতাবে আৰু একে সাহিত্যবে থিৰ হব পাৰিম, সেই দিনা সচাকৈয়ে আমি অসমীয়া জাতিটো এটা বিৰাট জাতি কপে ভাৱতত গন্য হম।

আজিৰ এই সপোনটো এদিন অসমত মহাপুৰুষ শঙ্কৰ দেৱে দেখিছিল। সেই দিনা তেওঁ এজন পাহাৰী নগাক 'নৰোত্তম' নাম দি, অসমীয়াৰ সাহিত্য, অসমীয়াৰ সভ্যতা আন কি সেইদিনাৰ অসমীয়াৰ ধৰ্ম্মও "নগাৰ নৰোত্তমক" দি পৰ্ব্বতৰ নগা জাতিক ভৈয়ামৰ মানুহৰ মাজলৈ আহ্বান কৰিছিল। এই একেটা সপোনকে এদিন অসমৰ আহোম ৰজা সকলেও দেখিছিল। সেই বাবেই বোধকৰো নগা-বণ্ড বন্দী কৰি অনা নগাবিলাকক ভৈয়ামৰ অসমীয়াৰ লগত, কোনো কোনো খেলত সুমুৱাই একেবাৰেই ভৈয়ামৰ

অসমীয়া কৰি পেলাইছিল। নগা কুঁৱৰী, মণিপুৰী কুঁৱৰীৰ কথা বুৰঞ্জীত পোৱা যায়। এইবিলাক কথাৰ পৰাই অনুমান হয়, স্বাধীন যুগত ভৈয়ামৰ অসমীয়াই পাহাৰত থকা জাতি বিলাকক এদিন আকোৱালি ল'বলৈ চেষ্টা কৰিছিল।

বৰ্ত্তমানৰ অসমীয়া জাতি আজিও কিন্তু এই বিষয়ে উদাসীন।

কিছুদিনৰ আগতে এজন বন্ধুৰ অনুগ্ৰহত ; "শ্যামা নগা" আৰু "আঙামী নগা" বুলি দুখন ডাঙৰ ইংৰাজী গ্ৰন্থ মোৰ হাতত পৰিছিলহি। এই গ্ৰন্থ দুখন বৰ্ত্তমান অসমৰ চিফ্ চেক্ৰেটাৰী ডাক্তৰ হটন (C. I. E. I. C. S.) চাহাবে লিখা, আৰু অসম চৰ্কাৰে প্ৰকাশ কৰা। এখন কিতাপৰ ভূমিকাত ৰায় চাহাব শ্ৰীযুত সীতানাথ বৰা ডাঙৰীয়াৰ কথা উল্লেখ আছে। তেখেতে বোলে ডাক্তৰ হটন চাহাবক এই কিতাপ কেইখন লিখোতে বিশেষ সহায় কৰিছিল। ৰায় চাহাব ডাঙৰীয়াই চাকৰি জীৱনত নগা পাহাৰত বহুত দিন কটাই ভৈয়ামলৈ এতিয়া নামি আহিছে। হটন চাহাবে নগা জাতিৰ সম্বন্ধে কিতাপ কেইখন এনে ভাৱে লিখিছে যে নগাৰ দাঁতত ভাত লগা কথা এটাও, গ্ৰন্থৰ পৰা বাদ পৰা নাই। নগা পাহাৰলৈ নোযোৱা মানুহেও এই কিতাপ কেইখন পঢ়িলে "নগৈ গড়গাঁৱৰ বাতৰি কোৱাৰ" দৰে নগাৰ সকলো কথা হু-বহুকৈ আনৰ আগত কব পাৰিব। আৰু সেই কথা শুনোতাজনে ভাবিবলৈ বাধ্য হব, কোৱা মানুহ জন নিশ্চয় নগা পৰ্ব্বতত বহুত দিন আছিল। এনে ধৰণৰ গ্ৰন্থ লিখাত, ৰায় চাহাব ডাঙৰীয়াৰ যেতিয়া যোগ আছিল ; তেখেতে ইচ্ছা কৰিলে, নিজ সাহিত্যত নগাজাতিৰ সম্বন্ধে উৎকৃষ্ট গ্ৰন্থ দান কৰিব পাৰে। এই বিষয়ে, ৰায় চাহাব ডাঙৰীয়াক আমি অনুৰোধ কৰিব নোৱাৰো নে ? সচাঁকৈয়ে উৎকৃষ্ট গ্ৰন্থইহে, নগা জাতিক আকৌ আমাৰ বুকুলৈ আনিব পাৰিব।

এই ডাঙৰ গ্ৰন্থ কেইখন পঢ়োতে গোটাদিয়েক কথা চকুত লাগি যোৱাত, ইয়াত উল্লেখ কৰিবলৈ লোভ সামৰিব নোৱাৰিলো :—

* * * *

নগা জাতিৰ সম্বন্ধে লিখা পণ্ডিতসকলে কব খোজে— সংস্কৃতত পৰ্ব্বত বুজোৱা শব্দ বিলাকৰ ভিতৰত এটা শব্দ "নাগ"। এই বাবেই, পৰ্ব্বতত থকা মানুহক ভৈয়ামৰ মানুহে "নাগ" বা "নগা" বোলে।

হিন্দী ভাষাত নাঙঠাক "নঙ্গ" কয় ; পৰ্ব্বতৰ মানুহ বিলাক প্ৰায় নাঙঠা কাৰণে ইহঁতক "নগা" বোলা হয়।

নগা পাহাৰৰ পূব ফালে থকা কিছুমান চাঙৰ নগাই সিহঁতৰ দোৱানত মানুহক "নক" বুলি কয়। সিহঁতে ভৈয়ামৰ মানুহৰ আগত পৰিচয় দিওতে— আমি "পাহাৰৰ নকা" বুলি কোৱাত, ভৈয়ামৰ মানুহে সিহঁতক বুজাবলৈ "নকা বা নগা শব্দ" ব্যৱহাৰ কৰিবলৈ ধৰিলে। এই তিনিটা কথাৰ কোনো এটা কথাৰ পৰাই "নগা" শব্দটো ওলাল বুলি অনুমান হয়।

* * *

নগা পাহাৰত থকা নগাৰ খেল বা ফৈদবিলাক ; কাঁচা নগা, আঙামী নগা, ৰেঙমা নগা, লঠা নগা, আও নগা, শ্যামা নগা, কস্যাক নগা, ফোম নগা, চাঙ নগা, চাঙটাম নগা, টাংখুল নগা আৰু য়্যাচুমি নগা।

বৰ্ম্মা দেশৰ ফাললৈ থকা কিছুমান নগা একেবাৰে নাঙঠা। সিহঁতৰ বোলে কোনো চাঙত দূৰণিৰ মানুহ গলে তিৰোতাবিলাকে সিহঁতৰ আগত ওলাওতে মাথোন ককালত ফটা কানি এটুকুৰা মেৰিয়াই লয়। —লাজত নে সম্মানত ?

বৃটিছৰ অধীনলৈ নহা চাঙৰ নগাবিলাক এতিয়াও বোলে উগ্ৰ আৰু নৃশংস হৈয়ে আছে।

নগাবিলাকৰ মাজত এটা বিশ্বাস,—বেচিকৈ কাপোৰ পিন্ধিলে, লৰা-ছোৱালী কম হয়। সিহঁতে ধনতকৈও জনেৰে হে চহকী হবলৈ বিচাৰে। সুৰহীয়া মানুহৰ ফৈদক আনে ভয় কৰে। আজিৰ কুৰি শতিকাৰ পাশ্চাত্য সভ্যতাত ইটালিৰ মুছলিনিয়েও জনেৰে চহকী হবলৈ হে যত্ন কৰা দেখা গৈছে। অসমীয়া জাতিৰ মনৰ গতি বা কোন ফালে !

নগাবিলাকৰ এটা বিশ্বাস, পূৰ্ব্বতে এক বুঢ়াৰ তিনি পুতেক। এক পুতেকৰ সতি-সন্ততি, আমি ভৈয়ামৰ

মানুহ বিলাক, এক পুতেকৰ সতি-সন্ততি পাহাৰৰ নগা বিলাক, আৰু এক পুতেকৰ সতি-সন্ততি হাবিৰ বাঘ বিলাক।

আদিতে লিখা-পঢ়া শিকোতে ভৈয়ামৰ মানুহবিলাকে শিলৰ পাতত লিখি ললে ; পৰ্ব্বতৰ নগা বিলাকে গছৰ পাতত লিখি ললে। পিছত, সিহঁতৰ গছৰ পাতত লিখাবিলাক নষ্ট হ'ল, সেই কাৰণে সিহঁতে এতিয়া পঢ়িব শুনিব নেজানে, ভৈয়ামৰ মানুহৰ শিলৰ পাতত লিখি লোৱাৰ বাবেই নষ্ট নহ'ল, এই ভৈয়ামৰ মানুহে লিখা পঢ়া কৰিব পাৰে।

নগাবিলাকৰ সাধু কথা কোৱাৰ ধৰণ অসমীয়া মানুহৰ "বুঢ়ী-আইৰ সাধু" কথা কোৱাৰ ধৰণেই। সিহঁতৰ সাধু কথাবিলাক আমাৰ "শিয়াল-বান্দৰৰ সাধুৰ" দৰেই।

সিহঁতৰ ৰঙ-ধেমালিবিলাকৰ ভিতৰত জাপ মৰা, বাঁঠি-খেল, গীত গাই নচা আদিৰ বাহিৰেও, আমাৰ "মঙ্গল পাতি" আৰু 'বাঘ-গৰুৰ" নিচিনা মাটিত আকি ঢাল পাতি কৰা খেলো আছে।

সিহঁতে কাম কৰোতে আৰু নাচোতে প্ৰায়ে গীত গায়। আও নগাবিলাকৰ ডেকা-গাভৰু বিলাকে এটা পৰ্ব্ব দিনত, ৰছা এদাল টনা-টনি কৰে। এফালে ডেকাবিলাক হয়, আৰু একালে গাভৰুবিলাক হয়। ঠিক, "টগ-অৱ-ৱাৰ" খেলৰ দৰেই। ৰছা টানোতে, গাভৰুবিলাকে গীত গায়। ইহঁতৰ গীত গোৱাৰ কিছুমান ভাগ আছে। অন্ততঃ হাবিত গোৱা গীতবিলাক ঘৰত বা চাঙত নাগায়। বোধকৰো, আমাৰ মানুহে ঘৰত নোগোৱা কিছুমান "বন-গীতৰ" দৰেই। এই গীতবিলাক আনন্দৰেই হওক বা বিষাদৰেই হওক, সিহঁতৰ মৃত্যুৰ ভয় এটা সদায় গীত বিলাকত জিলিকি থাকে। যেনে সিহঁতৰ প্ৰেমৰ গীততো সামৰণি মাৰোতে ডেকাই বা গাভৰুৱে গীততে কয় ; "সোনকালে বিয়া কৰি, জীৱন উপভোগ কৰো আহ, বুঢ়া হৈ মৰিবলৈ আৰু কেই দিন নো আছে !" ইত্যাদি।

* * * *

নগাবিলাকে আমাৰ "বুঢ়া ডাঙৰীয়াৰ" নিচিনা এজন উপ-দেৱতাক বৰ ভয় কৰে। এইবাবে সিহঁতে প্ৰতি কথাতেই সিহঁতৰ ধৰণেৰে দেও পূজা কৰে। সিহঁতৰ সকলো কথাতেই "নেপায়" টো সদায় আগ। বোধকৰো, কম অভিজ্ঞতাৰ বাবেই সিহঁতে, "নেপায়" শব্দটোৰ ইমান সঘনে আশ্ৰয় লয়। পাদুৰী চাহাবসকলে খ্ৰীষ্টৰ ধৰ্ম্ম সিহঁতক দিওতে, সিহঁতৰ "বুঢ়াডাঙৰীয়া"জনক, "বাইবেল শাস্ত্ৰৰ" চৈতান বুলি হেনো সহজে বুজাব পাৰে।

* * * *

"গেনা" কথাটো, সিহঁতে সকলো কথাতে খটায়। ল'ৰা জন্ম হ'ল ; অশৌচটো হ'ল "গেনা"। মানুহ মৰিল তাৰ অশৌচটো হ'ল 'গেনা'। ঘৰত ভোজ বা পূজা হ'ল, গিৰিহঁতটোৰ গাত লাগিল "গেনা"। দুটা মানুহৰ কাজিয়া লাগি, ইটোয়ে সিটোকে নমতা হ'ল ; সিহঁতৰ গাত হ'ল 'গেনা'। গাওখনত কিবা এটা অমঙ্গল সূচক ঘটনা হ'ল, গোটেই গাও খনৰে হ'ল 'গেনা'। সিহঁতে যেতিয়া 'গেনা' মানে, তেতিয়া সিহঁতে পবিত্ৰভাৱে থাকে আৰু বাহিৰৰ পৰা যোৱা বা আন ডাঙৰ মানুহৰ লগত কথা-বতৰা নেপাতে। বিশেষকৈ সিহঁতে 'গেনা' মানে ৰণত জিকি আহিলে, আৰু সিহঁতৰ খেতি আৰম্ভ কৰাৰ আগত আৰু চপোৱাৰ পিছত। সেই কেইটা বিশেষ 'গেনা'।

* * * *

অসমীয়া মানুহৰ দৰেই নাগিনীয়েও বাঁহৰ চেছুৰে ন-কৈ জন্ম হোৱা সন্তানৰ নাই কাটে। সিহঁতৰ, চৰাই-পহু চিকাৰ কৰা চিটিকা, ফান্দ, ধেনু আমাৰ অসমৰ গাৱলীয়া মানুহৰ দৰেই। ভৈয়ামৰ মানুহৰ দৰেই এবিধ বনৰীয়া লতাৰ বিহ দি নৈত মাছ মাৰে।

* * * *

সিহঁতে লৰা-ছোৱালীৰ বিয়া-বাৰুৰ কথা আৰম্ভ কৰোতে, চাঙৰ বয়সীয়া মানুহে মাক বাপেকৰ লগত কথা আৰম্ভ কৰে। দৰা-ছোৱালীৰ মাক-বাপেক ৰাজি হলেও দৰা-ছোৱালী হাল ৰাজি হব লাগিব। বিয়া হোৱাৰ আগতে, দৰা-ছোৱালী হালে, সিহঁতৰ মতে শুভ-সমাজিক ৰাতি দেখিব পায়। বেয়া সমাজিক দেখিলে, বিয়া পিছলৈ হোহোকায়। পিছতো যদি ভাল সমাজিক আৰু নেদেখে,

সেইখন বিয়াই ভাগে। নগাৰ কিছুমান ফৈদত সম্বন্ধত বিয়া নকৰায়। মাকৰ ফালৰ সম্বন্ধ নিবিচাৰে, বাপেকৰ ফালৰ সম্বন্ধকেই বিচাৰ কৰে। এনে ফৈদত, সম্বন্ধত কেতিয়াবা বিয়া হলে, বৰ দোষৰ কথা হয়। নাগিনী ছোৱালীৰ পণ-টকা আছে। পাঁচ টকাৰ পৰা পঞ্চাশ টকালৈকে। বহুতো সময়ত ধান-চাউল, মেখোন, কাপোৰ, দা-কুঠাৰ আদিবে পণ টকা দিয়া হয়। ইইতৰ ছোৱালী জনীহে দবাটোৰ ঘৰলৈ বিয়াৰ দিনা আহে। দবাই গৈ ছোৱালী আনিবলৈ নালাগে।

অনেক সময়ত ডেকা-গাভৰু মিল হৈ আমাৰ বিহু-তলিৰ পৰা কিছুমান ডেকা-গাভৰু পলাই গৈ, যোৰ পতাৰ দবে, সিইতেও যোৰ পাতে। পিছত চাণ্ডলৈ ঘুৰি আহিলে চাণ্ডৰ বয়সীয়াবিলাকে, সিইতৰ বিয়া ধন পাতি দিয়ে। গ্ৰামা নগাৰ বাহিৰে, বাকীবিলাক ফৈদৰ নগাই, সাধাৰণতে চুজনী তিবোতা বিয়া নকৰায়। এজনীৰ লগত এবা-এবি হলে বা মবিলে, অৱশ্যে আকৌ এজনী আনে। সেই দবেই, তিবোতাইও গিৰীয়েকৰ লগত এবা এৰি হ'লে বা গিৰীয়েক মবিলে আকৌ বিয়া কৰায়। কিন্তু গিৰীয়েকৰ ঘৰৰ পৰা নহয়, মাক বাপেকৰ ঘৰলৈ ঘুৰি গৈ ছে।

* * * *

সিইতৰ মাটি-বাৰী, স্থাৱৰ সম্পত্তিৰ ভাগ তিবোতাই বা জীয়ৰীয়ে নাপায়। অস্থাৱৰ সম্পত্তিৰ ভাগ তিবোতাই বা জীয়ৰীয়ে পায়। কেতিয়াবা কোনোবা মানুহৰ পুত্ৰ সন্তান নাথাকিলে মাটি-বাৰী বংশৰ ককাই-ভায়ে পায়। শুনা যায়, ইংৰাজ ৰাজত্ব হোৱাৰ আগতে, আমাৰ দেশতো এই নিয়মেই আছিল।

ইইতৰ ডাঙৰ সম্পত্তি হৈছে, মাটি-বাৰী আৰু মেখোন কুকুৰ, কুকুৰা, ছাগলী।

* * * * *

নগা-নাগিনীৰ অলঙ্কাৰ সাধাৰণতে কড়ি, শঙ্খ, শামুক, জন্তুৰ হাড়, দাঁত, জাফাই, আৰু কিছুমান গছৰ গুটিৰ তৈয়াৰী মণি। নাগিনীবিলাকে কড়া নিপিন্ধে; কড়ি সাধাৰণতে মতা মানুহৰ অলঙ্কাৰ।

সভা-অসভ্য সকলো দেশৰ নিয়ম অনুযায়ী সিইতৰ মানী মানুহে নিবোৰ অলঙ্কাৰ পিন্ধিব পাৰে, সাধাৰণ নগাই সেইবোৰ পিন্ধিব নোৱাৰে। কড়ি পিন্ধোতেও কোনে কেই শাৰী কড়ি সিইতৰ পিন্ধা লেঙুটিৰ কাপোৰত লগাব পাৰে তাৰো লেখ আছে। বণত মানুহৰ মুৰ আনিব পাৰিলে মানী হয়, গাওখনক ডাঙৰ ভোজ খুৱাব পাৰিলে মানী হয়, মতাই নগা তিবোতা এজনৰ লগত শুদ্ধ প্ৰেম কৰিব পাৰিলে মানী হয়, চুজন ছোৱালীৰ লগত সমানে প্ৰণয় চলাব পাৰিলে মানী হয়,—ইত্যাদি। মানী বিলাকে সিইতৰ কিছুমান পশুত "গেনা" কৰি মানুহক ভোজ খুৱাব পাৰিলে সিইতে ঘৰৰ টুপত মেথোনৰ শিঙৰ দবে কাঠৰ শিঙ লগাই মানী মানুহ বুলি পৰিচয় দিব পাৰে।

* * * *

সিইতৰ খেতি পথাৰৰ যাই বস্তু হৈছে, ধান, আলু, কচু, জলকীয়া, মাহ আদি। পথাৰতে ভৰাল সাজি ধান থয়। লাও-পানী সিইতৰ দৈনিক খাদ্য।

* * * *

নগাৰ দবেই নাগিনীবিলাকো পৰিশ্ৰমী। সাধাৰণতে ঘৰখন চলোৱাত, সিইতৰ আচল গৃহলক্ষ্মী নাগিনীইহতহে।

* * * *

সিইতৰ খোৱা পাত্ৰবিলাক, গছৰ পাত, কলৰ পাত, লাওৰ খোলা, কাঠৰ তৈয়াৰ কৰা বাটি, কাঁহি, হেতা, চৰিয়া আদি। আমাৰ কুমাৰৰ দবে, মাটিৰ বাচনো সিইতে তৈয়াৰ কৰি নয়। আজি কালি সিইতে ভৈয়াম হাট বজাৰৰ পৰাও বাচন-বৰ্তন, কাপোৰ কানি, কোৰ-কুঠাৰ আদি কিনি নিয়ে।

* * * *

সিইতে শিলৰ টিঙিৰি মাৰি জুই ধৰে। লোন-পুৰ পৰা লোন খায়। ভৈয়ামৰ পৰা লো নি দা-কুঠাৰ বাৰি কোৰ তৈয়াৰ কৰি লয়।

* * * *

গছৰ আহ আৰু কপাহৰ পৰা সুতা কাটি কাপোৰ বয়। কিছুমান ফৈদৰ নাগিনীয়ে কাপোৰ বঁৰা নাজানে।

সিইতে বঙা-কলা বং বিলাক কিছুমান গছৰ পাত আৰু বাকলিৰ পৰা কৰি লয়। নগাবিলাকে বঙা বঙটো বৰ ভাল পায়।

* * * *

গাঁৱৰত ইখন চাণ্ডৰ নগাই সিখন চাণ্ডত বেহা-বেপাৰ চলায়। সিইতৰ বেহা-বেপাৰ প্ৰায়ে বস্তু সাল-সলনিবে হয়। কড়িও চলে। আজি কালি পয়ছাও চলে।

* * * *

সিইতৰ চাণ্ডবিলাকত নগা-বজাটোৱেই ডাঙৰ। সাধাৰণতে, শুকতৰ কথা মীমাংসা কৰোতে, চাণ্ডৰ বুঢ়া-বিলাক পঞ্চায়তৰ দবে বহে। নগা-বজাটোৰ ঘৰত গাওৰ ডেকা-গাভৰুবিলাক গোট খায়। পাল অনুযায়ী সিইতে বজাটোৰ পথাৰত কাম কৰিও দিয়ে। চাণ্ডত একোটা বুঢ়া আমাৰ পুৰোহিতৰ দবে থাকে। ভাল-বেয়া কোৱাত বা সকাম আদি কৰাত পুৰোহিতটোৰ কিছু ক্ষমতা আছে।

* * * *

নগাই কিছুমান চৰাই আৰু জন্তুৰ মঙহ নাখায়। কুকুৰৰ মঙহ হলে সুখাস্থ স্বৰূপে খায়। সিইতে ভাবে কুকুৰৰ মঙহ বৰ পুষ্টিকাৰক। বেমাৰ পৰি বা কোনো কাৰণত দুৰ্বল হলে কুকুৰৰ মঙহ খুব খায়। ছাগলীৰ মঙহ সিইতে নাগিনীক খাবলৈ নিদিয়ে, জানোবা ছাগলীৰ দবে নাগিনীবিলাক কামাতুৰা হয়।

* * *

গ্ৰামা নগাৰ বাহিৰে, আনবিলাক ফৈদৰ নাগিনী ছোৱালীবিলাকে প্ৰায়ে কুমাৰী ধৰ্ম্ম বক্ষা নকৰে। ইইতৰ ডেকা গাভৰুৱে একেলগে দেমালি কৰি ঘুৰাত একো বাধা নাই। কিছুমান চাণ্ডৰ নবঙ ঘৰৰ ওপৰ চাঙত ডেকাবিলাকে শোৱে, তলত গাভৰুবিলাক থাকে। আও নগাৰ ছোৱালীয়ে বাতি সিইতৰ ঘৰলৈ কোনো ডেকা গলে, সিইতে চুৱাৰ মেলি দিয়াটো কৰ্ত্তব্য। সেই বুলি অচিনাকি মানুহৰ লগত তেনে ব্যৱহাৰ নকৰে। নাগিনী ছোৱালীয়ে বিয়া হবৰ সময়ত বে চুলি বাৰি খোপা বান্ধে। আগৰ ভোখৰত চুলি কাটি থাকে। নগা-নাগিনী উভয়ে কিছুমান গছৰ গুটিৰ বঙেৰে গাত ফুল বাছি লয়।

কিছুমান মঠা নগাৰ দন্তৰ আছে; সিইতে বহুত দিনলৈ আতৰি গলে নিজৰ আপোন মানুহ এটাক তাৰ স্বৈনীয়েকৰ লগত সহবাস কৰিবলৈ অনুমতি দি যায়।

চেবেমী আৰু টিচিমামীৰ গ্ৰামা নগাই হেনো কয় সিইতে বেহা বেপাৰত যাওতে চাব, (Charr) বুলি এখন ঠাইৰ চাণ্ডটাম নগাই, সিইতৰ তিবোতাবিলাকক ইইতৰ লগত থাকিবলৈ অনুমতি দিয়ে। সেইখন চাণ্ডৰ নগাবিলাক হেনো নিশকতীয়া। সিইতৰ ইচ্ছা হেনো ভাল জাতৰ নগাৰ পো-পোৱালি যেন সিইতৰ চাণ্ডত হয়। ইও এক সভ্যতা। ইয়াতেই নিয়োগ প্ৰথাৰ মূল নে কি?

পুৰ ফালে থকা আঙামী নগাৰ গাওবিলাকত বেশ্যাৰ (Prostitution) ব্যৱসাহো আছে। সাধাৰণতে নাগিনী ছোৱালীয়ে পয়ছা লৈ বেশ্যালি নকৰে। কিছুমান চাণ্ডত নাগিনী ছোৱালীবিলাক ঘৰখনৰ বাহিৰৰ পোটালীত শোৱে। কোনো কাৰণতে, নাগিনী ছোৱালীয়ে অচিনাকি মানুহৰ লগত বন্ধুত্ব নকৰে।

* * *

গ্ৰামা নগাবিলাকে কিন্তু বিয়া নিদিয়া ছোৱালী বিলাকৰ ওপৰত বিশেষ চকু বাখে। বহুতে বিশ্বাস কৰে, গ্ৰামা নগাৰ ছোৱালীয়ে কুমাৰী ধৰ্ম্ম ভৈয়ামৰ ছোৱালীৰ দবেই বক্ষা কৰে।

* * * *

কিন্তু বণত ধৰি অনা নাগিনী ছোৱালীবিলাক—সেই বণ-জয়ী গাওখনৰ উমৈহতীয়া সম্পত্তি হয়।

* * *

নাগিনী ছোৱালীয়ে বীণ বজায়; কিন্তু মুখেবে পেঁপা কেতিয়াও নেবায়। পেঁপাটো মতা মানুহলৈ হে।

* * *

বৰ আচবিত কথা, এটা ছটা লৰাৰ মাক হওতেই

নাগিনী ছোৱালীৰ মুখৰ সৌন্দৰ্য্য একেবাৰে লোপ পায়।

আও নগাৰ ছোৱালীবিলাক চৰিত্ৰ হীনা হোৱাৰ বাবেই সিহঁতৰ,—মতা তিৰোতা এৰা এৰি প্ৰায়ে হয়। আও নগাবিলাক বৰ ভয়াতুৰ। বাগি দি কথা কোৱাত নগাবিলাক বৰ চতুৰ। "নগা মতা দিয়া" শব্দটো এই বাবেই আমাৰ ভাষাত সোমালহি হবলা। শ্যামা নগাবিলাক বৰ সাহসী। ঠাঁ নগাৰ লগত কথা পাতিলে সিহঁতক বৰ প্ৰফুল্ল নেদেখি। আঙামী আৰু শ্যামা নগাবিলাক বৰ বাংচালী।

* * * *

নগাৰ চাণ্ড চুৰ কৰাটো বৰ দোষৰ আৰু লাজৰ কথা। আও নগা আৰু শ্যামা নগাই কিন্তু ভৈয়ামৰ পৰা বস্তু চুৰি কৰি নিৰ পৰাটো বৰ বাহাদুৰিৰ কাম বুলি ভাৱে।

* * * *

নগাই সিহঁতৰ ঘৰ-দুৱাৰ কাঠ, বাহ, গছৰ পাত আদিৰে সাজি লয়। সাধাৰণতে সিহঁতৰ ঘৰবিলাক অপৰিষ্কাৰ—সিহঁতে থকা ঘৰতে, কুকুৰা গাহৰি বন্ধাৰ বাবেই। সিহঁতে বাহৰ কাঠিবে পাচি, থবাহি তৈয়াৰ কৰি লয়। হোৱাটোও বাহ বেতেৰেই সাজে। সিহঁতৰ হোৱাটো দৈনিক জীৱনত মাল বস্তু কাঢ়িবাৰেলৈ বৰ লাগতীয়াল।

* * * *

বেলেগ গাও হলেও, একে ফৈদৰ ভিতৰত নগাৰ বন নেলাগে। বেলেগ বেলেগ ফৈদৰ ভিতৰত সিহঁতৰ বন লাগে। এক ফৈদৰ যেতিয়া মানুহ সৰহ হৈ থেতি কৰিবলৈ মাটি তাকৰ হয়, তেতিয়াই সিহঁতে আন ফৈদক বন কৰি খেদি দি সিহঁতৰ মাটি কাঢ়ি লয়। বহুতো সময়ত অবিবাহিত ডেকাবিলাকে মানুহৰ মুৰ আনি বীৰত্ব দেখুৱাবলৈ আন ফৈদৰ লগত ফেৰ পাতি বন কৰে। শত্ৰুৰ মুৰ আনিব পৰা ডেকাক নাগিনী ছোৱালীবিলাকে সন্মানৰ চকুৰে চায় আৰু সিহঁতলৈ বিয়া সোমায়। নগাবিলাকে লৰা ছোৱালী আক তিৰোতাৰ মুৰ আনিব পৰাটো বাহাদুৰি বুলি ভাৱে। ইহতে শত্ৰু অহা বাটত, গাত থান্দি তাত বাহৰ জোক পুটি, ওপৰত আলহুৱা ঢাকনী এখন বন পাতেহে সাজি থয়—শত্ৰুয়ে যাতে চিনিব নোৱাৰি তাত পৰেহি। আজি কালি ৰুটিছুৰ অধীনত থকা নগাবিলাকৰ এনেকুৱা বণ নেলাগে।

* * * *

ভাৰতৰ ইথন প্ৰদেশৰ মানুহে সিখন প্ৰদেশৰ মানুহৰ লগত হিন্দীত কথা পতাৰ দৰে, ইখন চাংগ নগাই সিখন চাঙৰ নগাৰ লগত ভগা ভগা অসমীয়াতে কথা পাতে। একে ফৈদৰ হলেও বেলেগ বেলেগ চাঙত সিহঁতৰ দোৱানবিলাক লৰ চৰ।

* * * *

বেমাৰ আজাৰত সিহতে দেও হে মানে। বেমাৰত হাবিৰ গছ-পাতৰ ঔষধো ব্যৱহাৰ কৰিব জানে। সিহঁতৰ অকশ্মাৎ মুৰ ফাটি ঘিউ ওলালে, কুকুৰা কৰিব কুহুমটো মুৰৰ ভিতৰত লেও দি, ওপৰত সৰু কুকুৰা পোৱালীৰ ছাল এগনেৰে ঢাকনী দি দিয়ে, এই দৰে হেনো ভাল হয়। সাপে খুটিলে খোটা খুটি ডোখৰ ওপৰত বান্ধ এটি দি ততালিকে খোটা ঠাই ডোখৰ কাটি তেজ উলিয়াই দিয়ে। নগাবিলাক গছ বগাজাত বৰ পটু। সিহঁতে পাহাৰতো পিতিত বোজা লৈ দিনটোত ত্ৰিশ মাইল যাব পাৰে।

নগাবিলাকৰ চাঙত বিদেশী মানুহে বৰ অতিথি-সৎকাৰ পায়। সিহঁতৰ অতিথি-সৎকাৰ মন কৰিব লগীয়া।

* * * *

আগতে কৈ অহা হৈছে নাগিনী ছোৱালীয়ে কুমাৰী ধৰ্ম্ম বক্ষা কৰালৈ বিশেষ মন নকৰে। কেতিয়াবা বহি অবিবাহিত অৱস্থাত কোনো ছোৱালী গৰ্ভবতী হয়; সিহঁতে তেতিয়া সেই গৰ্ভ নষ্ট কৰিবলৈ যত্ন কৰে, নাইবা, চাঙৰ পৰা দূৰৈত প্ৰসৱ কৰায়, আৰু সন্তানটো মাৰি দৈ

আহে। অৱশ্যে, ইংৰাজৰ অধীনৰ নগা-চাঙত এতিয়া এইবিলাক ঘটনা নাইকিয়া হৈছে।

* * * *

নগা চাঙবিলাক শিৰসাগৰ আৰু লখীমপুৰ জিলাৰ দক্ষিণে থকা পৰ্ব্বতৰ শাৰীত। দিহিং, দিহাং, দিখৌ, দনশিৰী, আৰু দৈয়াং নৈৰ আগালিতেই নগা-চাঙ বিলাক পোৱা যায়। নগা-পাহাৰ জিলাৰ পুৱৰ পৰা পশ্চিমলৈ গাহাৰে গাহাৰে গলে, নগাৰ ফৈদবিলাক এই দৰে পোৱা যায়;—কঙ্গাক নগা, আও নগা, লঠা নগা, ফোম্ নগা, শ্যামা নগা, আঙামী নগা, কাচা নগা। মাজে মাজে অৱশ্যে কিছুমান ফৈদৰ চাঙ যেনে আও, লঠা, শ্যামা, আঙামীৰ মিহলি হৈ থকা পোৱা যায়। নগা পাহাৰ জিলাৰ সদৰ ঠাই হৈছে কহিমা, মহকুমা হৈছে মককঙাঙ। বৰ্ষা দেশৰ ফালে থকা নগাবিলাক এতিয়াও বৃটিছৰ অধীনলৈ অহা নাই। ইহতৰ মা-মোকৰ্দ্দমা সেই জিলাৰ মেজিষ্ট্ৰেট্ সকলেই সোধে। বহুতো মোকৰ্দ্দমা শপথত চিত্তিৰ লগীয়া হয়। বেলেগ বেলেগ ফৈদৰ নগাৰ শপথবিলাক বেলেগ বেলেগ ধৰণৰ। নিজ ফৈদত চলন্তি শপথলৈহে নগাই ভয় কৰে। নগা চাঙবিলাকত মিশ্ৰনেৰী চাহাবসকলে খ্ৰীষ্ট-ধৰ্ম্ম বিলাইছেগৈ। খ্ৰীষ্টান হোৱা নগাবিলাকে গড়া শুনা কৰিবলৈ শিকিছে। সিহঁতৰ কিছুমান ভালদৰেই শিক্ষিত হৈছে। সিহঁতে নিজৰ ভাষা লিখিবলৈ বোমান আখৰ লৈছে। আমাৰ বিশ্বাস, অসমৰ পৰ্ব্বতীয়া জাতিবিলাকে অসমীয়া আখৰ চলাবলৈ ললেহে, সমগ্ৰ অসমীয়া জাতিৰ সুবিধা হয়; এই বিষয়ে দেশৰ নেতাসকলে মন কৰা উচিত।

হটন চাহাবে কয়, নগাৰ ধৰণবিলাক বৰ বেগাই সলনি হৈ আহিছে। কিছু দিনৰ পিছত, খুব-সম্ভৱ নগাবিলাকেই নগাৰ পুৰণি ধৰণ পাহৰিবগৈ।

* * * *

হটন চাহাবৰ কিতাপত পোৱা যায়; আহোম বজা সকলৰ দিনত, নগাপাহাৰ জিলাৰ পশ্চিম ফালে থকা অৰ্থাৎ মণিপুৰৰ ফালে দৈয়াং উপত্যকাত থকা নগাবিলাকক বহুবা চিগাহী কৰি অসমৰ ফৌজত লোৱা হৈছিল। সেইসূত্ৰে, কিছুমান আও, লঠা আৰু শ্যামা নগাই ভৈয়ামত বজাৰ পৰা খাবলৈ মাটি-বাৰী পাইছিল। বোধ কৰো, "লতাকটা ৰণতেই" নগাক এই সুবিধা দিয়া হৈছিল। ইয়াতে নগা কটকীৰ কথাও মনলৈ আহে। কি উজু উপায়েৰে যে নগাবিলাকক স্বাধীন যুগত অসমৰ অধীনত বখা হৈছিল! আজি যেন অসমীয়াটো ই এটা সপোন!

* * * *

হটন চাহাবৰ কিতাপতে আৰু এঠাইত পোৱা যায়;—চবাইদেওৰ পাহাৰৰ ওপৰত থকা কঙাক নগাবিলাকৰ চেহেৰাত শ্যাম জাতিৰ তেজ মিহলি থকা যেন পোৱা যায়। সিহঁতে দোৱানতো কিছুমান শ্যাম শব্দৰ ব্যৱহাৰ কৰা পোৱা যায়। কিছুমানে অনুমান কৰে, বৰ্ম্মাৰ, ফালৰ পৰা শ্যাম জাতিৰ মানুহ অসমলৈ আহোতে এই ঠাইত কিছুদিন বৈছিল হি। সেই বাবেই বোধকৰো শ্যাম জাতিৰ তেজ সিহঁতৰ লগত মিহলি হ'ল। এই নগাবিলাকক অসমীয়া মানুহে, বান-পৰীয়া, নাম্-চঙীয়া, টাবলুঙীয়া আদি বুলি কয়। এই ঠাইতে এবাৰ এজন আহোম ৰজাই, বাজ্য হেৰুৱাই থাকিছিল হি। আহোম ৰজাজন থাকোতে, সেই ঠাইৰ নগা ৰজাৰ ছোৱালীক (নাম—ৰালংঙ (wallong) বিয়া কৰাইছিল। ৰজাজনে পুনৰ অসমৰ সিংহাসন লাভ কৰি, তেওঁ তাত থকাৰ স্মৃতি স্বৰূপে, এটা পুখুৰি, এটা আলি আৰু এখন শিলৰ সাকো কৰাই দিছিল। সেইবিলাক ভগা-ছিগা হৈ এতিয়াও তাতে আছে।

আমি জনাত, মিবজুমাৰ আক্ৰমণত জয়ধৰজ সিংহই কিছুদিন বাজ্য এৰি চবাইদেও পাহাৰত আছিলগৈ; আৰু ন'বা বজাৰ অত্যাচাৰত, গদাধৰ সিংহই নগা-চাঙত কিছুদিন লুকাই আছিলগৈ। বোধকৰো, এই দুজনৰ কোনোবা এজন ৰজায়ে ওপৰত উল্লেখ কৰা নগা-কুৱৰীক বিয়া কৰাইছিল। এইজন বজা বোধকৰো গদাধৰসিংহয়ে হব পায়।

সামবণিত কও, ডাক্তৰ হটন চাহাবৰ কিতাপ কেইখনৰ বাহিৰে, বোধকৰো, নগা জাতিৰ বিষয়ে, ইমান বহলাই লিখা আৰু কিতাপ নাই। আৰু দুখৰ বিষয়, আমাৰ অসমীয়া সাহিত্যত যে এখনো নাই। এই বিষয়ে সাহিত্যিক সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈকে বুলি, হটন চাহাবৰ কিতাপৰ পৰাই অল্প-অচৰপ হাঁয়ত তুলি দিয়া হ'ল। মোৰ বিশ্বাস, আমাৰ তৰুণ সকলে, এই বিষয়ে নিশ্চয় ভাৱিছে। অসমৰ পৰ্ব্বত-ভৈয়ামৰ সৌন্দৰ্য্য বৰ্ণই কবিতা লিখিলেই নহব, পৰ্ব্বত আৰু ভৈয়ামৰ ন'বা-ছোৱালীয়েও মিল হবলৈ চেষ্টা কৰিব লাগিব। এয়ে আমাৰ প্ৰাণৰ আকাঙ্ক্ষা হয়।

ত্যাগ আৰু সেৱা

—শ্ৰীযুত বিজয় চন্দ্ৰ ভাগৱতী

ঋষিয়ে কৈছে—"ন প্ৰজয়া ধনেন ন চেজ্যয়া ত্যাগেনৈকেন অমৃতত্বমানশু:"। সংসাৰত পূৰ্ণত্ব নাই। সংসাৰ চক্ৰত যিমানেই সোমাওঁ, তিমানেই মেৰ-পাক খাওঁ। মায়াময় সংসাৰৰ ভোগ লালসা পৰিত্যাগ কৰা। "নিবৃত্তিস্তু মহাফলা।"

অহং ভাৱ হৈছে অবিদ্যা। অবিদ্যাৰ কাৰণে মানুহে ভোগত মজি সত্য বা ভগৱানক পাহৰি থাকে। অহঙ্কাৰ ত্যাগ কৰি একত্ব অনুভৱ কৰা। এয়ে ভাৰতৰ শিক্ষাৰ বৈশিষ্ট।

আজি কালি বহুতে ভাৱে বৈৰাগ্যৰ আদর্শ লৈ ভাৰতবাসী নিঃস্ব হৈছে আৰু ভোগোৎকর্ষফলত পাশ্চাত্য জাতিবিলাকে বসুন্ধৰা ভোগ কৰিছে। পাশ্চাত্য জাতিবিলাকৰ সমৃদ্ধিৰ মূলত কেৱল স্থূল ভোগ লালসা দেখিলে ভুল দেখা হব। আমাৰ অর্থত ত্যাগৰ আদর্শ গ্ৰহণ নকৰিলেও স্থূল ভোগ তেওঁলোকৰ জীৱনৰ উদ্দেশ্য নহয়। ধর্ম্ম আৰু জাতিৰ কাৰণে তেওঁলোকৰ অকুণ্ঠিত ত্যাগ কোনে অস্বীকাৰ কৰিব? মহাপ্ৰভু যীশুৰ আত্মোৎসর্গৰ দৃষ্টান্তই অনুপ্ৰাণিত নকৰা হলে আজি সভ্য জগত যুৱোপৰ ঠাই ক'ত হল হেতেন কোনে জানে! ভোগৰ উন্মাদনাত নহয় কর্ম্মৰ ঐকান্তিকতাইহে যুৱোপক ৰাজ ৰাজেশ্বৰ কৰি তুলিছে। আনফালে এই কথা স্বীকাৰ কৰিবই লাগিব যে মানুহৰ স্বাভাৱিক প্ৰবৃত্তিৰ প্ৰতিকূলে যোৱা মহান ত্যাগৰ আদর্শ এটা সাধাৰণৰ জীৱনত কার্য্যতঃ প্ৰয়োগ কৰিবলৈ কৰা বিফল চেষ্টাৰ ফলত আমাৰ বৈৰাগ্যত কৃত্ৰিমতা সোমাইছে। বাহিৰত ত্যাগৰ নিদর্শন স্বৰূপ গৈৰিক বসন পিন্ধি বা মলাগুটি জপি অন্তৰত অতৃপ্ত ভোগৰ লালসা লৈ আমি মিথ্যাচাৰ কৰোঁ। ভোগৰ অভাৱেই ত্যাগ নহয়—ভোগ্যবস্তুৰ প্ৰতি অনাসক্তিকেহে ত্যাগ বুলিছে। ৰাজ ঐশ্বর্য্যৰ মাজত থাকিও ৰাজর্ষি জনক মহাত্যাগী; আন পক্ষে লোটা কম্বল মাত্ৰ সম্বল বহুত সন্ন্যাসীয়ে প্ৰকৃততে এণাস্ত ভোগী।

প্ৰশ্ন উঠে, অনাসক্ত হৈ ফলাকাঙ্ক্ষা নৰখাকে কৰা কর্ম্মত উৎসাহ, উদ্যম হব কব পৰা? ধন, ঐশ্বর্য্য, মান, যশ, প্ৰতিপত্তি এইবিলাকৰ যি কোনো এটাৰ কাৰণে মানুহে কাম কৰিবলৈ ওলায়।

এইবিলাক একোৰে আশা নাৰাখি মানুহে কর্ম্মৰ কাৰণে প্ৰেৰণা পাব ক'ব পৰা? ভাৰতীয় সাধক সকলৰ মতে কোনো ৰকমৰ ফলৰ কথা নভবাকৈও কর্ম্ম কৰা সম্ভৱপৰ। এই কৌশলৰ নাম কর্ম্মযোগ। অতীত আৰু বর্ত্তমান ভাৰতৰ বহুত সাধু মহাপুৰুষে সম্পূর্ণ অনাসক্ত ভাৱে সাংসাৰিক ক্ষেত্ৰতো কৃতকার্য্যতাবে সৈতে কর্ম্ম কৰাৰ উদাহৰণ আছে। অৱশ্যে সাধাৰণৰ পক্ষে এই কৌশল আয়ত্ত কৰি কর্ম্ম কৰা সম্ভৱপৰ নহব পাৰে। কিন্তু ইয়াৰ দ্বাৰা আদর্শৰ উপযোগিতা অলপো হ্ৰাস নাপায়। আদর্শ সদায় আদর্শ। সাধাৰণ মানুহে ভোগৰ আসক্তি লৈ কাম কৰিলেও ত্যাগৰ আদর্শই তেওঁলোকৰ জীৱন নিয়ন্ত্ৰিত কৰি থাকিব। ঐশ্বর্য্যৰ ভোগ আৰু প্ৰভুত্বৰ উন্মাদনাই যেতিয়া দিক্ বিদিক্ জ্ঞান শূন্য কৰি পেলায়, ত্যাগৰ আদর্শই মানুহক পশুত্বলৈ নামি যোৱাৰ পৰা বক্ষা কৰে। ভোগ-বিলাসত মজি বহুত ব্যক্তি বা জাতিৰ অবনতি ঘটা ঐতিহাসিক সত্য। ৰোমান সাম্ৰাজ্য ধ্বংস হ'ল ভোগপৰতন্ত্ৰতাৰ ফলত। ভাৰতত মোগলৰ অধঃপতনৰ কাৰণো কর্ত্তব্যজ্ঞানহীন ভোগ-বিলাস।

আধ্যাত্মিক জগতৰ কথা নধৰিলেও, ব্যৱহাৰিক ক্ষেত্ৰতো উন্নতি কৰিব লাগিলে ত্যাগ অপৰিহার্য্য। দার্শনিক আৰু বৈজ্ঞানিক সকলে একো একোটা তথ্য আৱিষ্কাৰ আৰু কার্য্যকৰী কৰি তুলিবলৈ কত খিনি ক্ষতি আৰু কষ্ট স্বীকাৰ কৰিব লগা হয় তাক কোনে নাজানে? অতীত কালত নতুন সত্য আৱিষ্কাৰ আৰু প্ৰকাশ কৰিবলৈ যি কত জনে প্ৰাণ পর্য্যন্ত দিব লগা হৈছিল! আজিও হেনে ধৰণৰ পুৰুষসকলে কম অত্যাচাৰ, অবিচাৰ সহ্য কৰিব লগা নহয়। জাতীয় অভ্যুত্থানো নির্ভৰ কৰে ত্যাগৰ ওপৰত। দেশৰ স্বার্থৰ কাৰণে ব্যক্তিগত স্বার্থ জলাঞ্জলি দিবলৈকে কোনো দেশ উন্নত হৈছে বুলি বুৰঞ্জীয়ে নকয়।

ব্যক্তিৰ সমষ্টিয়েই জাতি। কিন্তু ব্যক্তিগত উন্নতিয়েই জাতীয় অভ্যুত্থান আনি দিব নোৱাৰে। ব্যক্তিগত স্বার্থ বিসর্জ্জনৰ দ্বাৰাহে জাতীয় স্বার্থৰ পৰিপুষ্টি সাধিত হয়। দেশবাসীৰ সহানুভূতি আৰু আশীর্ব্বাদ মুবত লৈ এজন মানুহে যেতিয়া দেশৰ কাৰণে জীৱন পণ কৰি ওলায়, যেতিয়া সেই দেশৰ অগ্ৰগতিৰ পথত একোৱেই বাধা জন্মাব নোৱাৰে। দৈৱশক্তি সম্পন্ন নেতা বা ছিদ্ৰ নথকা নিখুঁত কার্য্যপদ্ধতিয়ে জাতীয় অভ্যুত্থান আনি দিব নোৱাৰে, যদি দেশবাসীয়ে সম্পূর্ণ সাজু নহয় আৰু উপযুক্ত পৰিমাণে ত্যাগ স্বীকাৰ নকৰে। কোনো জাতি যদি আজিও ৰাজনৈতিক স্বাতন্ত্র্য লাভ কৰিবলৈ সমর্থ হোৱা নাই তেনেহলে তাৰ কাৰণ বুজিব লাগিব সেই জাতিয়ে স্বাধীনতাৰ উচিত মূল্য দিব পৰা নাই। পৰাধীন দেশৰ তো কথাই নাই; উন্নত, স্বাধীন জাতিবিলাকেও জাতীয় সম্মান আৰু সমৃদ্ধি ৰক্ষা কৰিবলৈ বা বৃদ্ধি কৰিবলৈ দেখুওৱা ত্যাগৰ উদাহৰণ ইতিহাসত অভাৱ নাই। এইবিলাক দেশৰ তুলনাত ভাৰতবর্ষই স্বাধীনতাৰ কাৰণে আজি পর্য্যন্ত বিশেষ যে একো ত্যাগ স্বীকাৰ কৰা নাই তাক অস্বীকাৰ কৰিবৰ উপায় নাই। স্বাধীনতাৰ মূল্য হিচাবে উপযুক্ত পৰিমাণে ত্যাগ স্বীকাৰ কৰিবলৈ সাজু হলে, পৃথিবীত এনে কোনো শক্তি নাই যি এটা জাতিক তপ পেলাই ৰাখিব পাৰে। পৰিচালনা আৰু পৰিকল্পনাত ত্রুটী থাকিলেও তাৰ কাৰণে একো বৈ নাথাকে, যদি দেশে উদ্দেশ্য সিদ্ধিৰ কাৰণে সকলো ক্ষতি, সমস্ত দুখ-দুর্গতি, অত্যাচাৰ-উৎপীড়ন মুৰ পাতি লব পাৰে। আমাৰ দেশতো আজি সকলোতকৈ বেচিকৈ আৱশ্যক দেখা যায় ত্যাগৰ ভাৱ—নিজৰ মুক্তিৰ কাৰণে নহয়, দেশৰ কাৰণে নিজক ধনী, মানী, জ্ঞানী কৰিবলৈ নহয়, দেশক ধনী, মানী জ্ঞানী কৰি তুলিবলৈ। ত্যাগৰ জয়-ঢোল কোবোৱা মানুহ বহুতো ওলায়; কিন্তু ধন সম্পত্তি, পুত্ৰ-পৰিজনৰ মোহ পৰিত্যাগ কৰিবৰ সময়ত কমেই হে দেখা দিয়ে। জাতীয় যুদ্ধৰ সময়ত ত্যাগৰ অভাৱ হলেই কৃতকার্য্যতা লাভ কৰিবৰ উপায় নাথাকে।

এই দিনিতে এটা কথা মনত ৰখা উচিত যে ত্যাগ জীৱনৰ শেষ কথা নহয়। ত্যাগ জীৱনৰ উদ্দেশ্যও নহয়, উপায় মাত্ৰ। উদ্দেশ্য পাহৰি উপায়কে যেন আমি খামোচ মাৰি ধৰি নাথাকো।

ত্যাগৰ লগত সেৱাৰ ঘনিষ্ঠ সম্বন্ধ। আন কথাত ত্যাগৰ উদ্দেশ্যই সেৱা বুলিব পাৰি। "আত্মনঃ মোক্ষার্থং জগদ্ধিতায় চ।" জীৱনটো কেৱল নিজৰ কাৰণে নহয়। আমি সকলো সকলোৰে কাৰণে জীয়াই থাকো। সংসাৰৰ পৰা আঁতৰি কেৱল নিজৰ মুক্তি চিন্তাত থকা সাধক সকলৰ পৰা জগতৰ কিমান দুৰ লাভ হয়, সি সন্দেহৰ কথা। সেই সকলেই ধন্য যি মুক্তিকো উপেক্ষা কৰি জগতৰ হিত সাধন কার্য্যত নিজক নিয়োগ কৰে।

"মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো।
বসময় মাগোহো ভকতি॥"

জাৱৰ সেৱা—বসময় ভক্তি। এই সেৱা ভগৱানৰেই পূজা। সেৱা কৰি মনত যি বিমল আনন্দ উদয় হয়, সেয়ে সেৱাৰ ফল। সেৱকে তাতেকৈ বেচি একো নিবিচাৰে। পৰৱ উপকাৰ কৰি নিজৰ ক্ষমতা আৰু সম্পত্তিৰ গর্ব্ব চবিতার্থ কৰা সেৱা ধর্ম্ম নহয়। দাতাই অনুগ্ৰহ দেখুৱাবলৈ হাত যোৰ কৰি থকা ভিখাৰীক কৰা দান দাতা আৰু দান গ্ৰহণ কৰোতা দুয়ো পক্ষৰ কাৰণে অশুভ ফলদায়ক। এনে ধৰণৰ দানে দাতাক "অহঙ্কাৰ বিমূঢ়াত্মা কর্ত্তাহমিতি" কৰি তোলে আৰু দান গ্ৰহণ কৰোতাজনক আত্মসম্মান বর্জ্জিত হীন কৰি পেলায়। অলপো ভেদ আৰু অহঙ্কাৰ নৰখাকৈ মহাপুৰুষ সকলে সকলো জীৱ তথা বিশ্বমানৱৰ সেৱা কৰিব পাৰে। কাৰণ

তেখেত সকলে—"সর্ব্বানি ভূতান্যাত্মন্যেবানু পশ্যতি সর্ব্বভূতেষু চাত্মানাং।" সেইহে ভগৱান্ বুদ্ধই এদিন ভাৰতী পোৱাৰী এটাৰ কাৰণেও নিজৰ জীৱন আগবঢ়াই দিব পাৰিছিল। সকলো ভূততে নিজক দেখিবলৈ নোপোৱা সাধাৰণ মানুহ যে সেৱাৰ অধিকাৰী নহয় এনে কথা হব নোৱাৰে। বৰঞ্চ সেৱা কৰাৰ লগে লগেহে অহঙ্কাৰ ভাব যোৱা সম্ভৱ কাৰণে সেৱাৰ আৱশ্যক তেওঁলোকৰ বেচি।

যি পথবেই সাধক নহওক, যি ধৰ্ম্মবেই মানুহ নহওক ত্যাগ আৰু সেৱা ধৰ্ম্ম কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ত্যাগ আৰু সেৱা সকলো ধৰ্ম্মৰে মেৰুদণ্ড। বিশেষকৈ ভাৰতৰ ইয়েই সনাতন আদর্শ। স্বামী বিবেকানন্দই কৈছে—"The national ideals of India are Renunciation and Service."

স্বামী বিবেকানন্দ

—শ্রীযুত জিতেন্দ্র নাথ বৰুৱৰকৰা বি-এ

ইংৰাজী ১৮৬৩ খৃষ্টাব্দত ভাৰতবর্ষত এজন মহাপুৰুষৰ আবির্ভাৰ হৈছিল। তেওঁৰেই হৈছে বিখ্যাত স্বামী বিবেকানন্দ। বঙ্গদেশৰ তেওঁ উজ্জ্বল ৰত্ন। অকল বঙ্গ দেশেই নহয়, স্বামী বিবেকানন্দৰ বাবে গোটেই ভাৰতবর্ষ গৌৰবান্বিত। ইংলণ্ড, জার্ম্মানী, ফ্রান্স, আমেৰিকা, স্যুইটজাৰলাণ্ড আৰু জাপানত তেওঁক নজনা মানুহ কম। এই মহামানৱৰ অপূর্ব্ব শক্তিয়ে গোটেই পৃথিবীক মোহিত কৰিছিল।

বিশ্বনাথ দত্ত তেওঁৰ পিতৃদেৱতা। বিবেকানন্দৰ মাতৃদেৱী আদর্শ তিৰোতা। বিবেকানন্দই নিজেই পিছত এইদৰে কৈছিল—'It is my mother who has been the constant inspiration of my life and work" অর্থাৎ "মোৰ কর্ম্মৰ আৰু জীৱনৰ চিৰ প্রেৰণা আছিল মাতৃদেৱী"। বহুদিন ধৰি শিৱক আৰাধনা কৰাৰ ফলত এই পুত্ৰ মাকৰাপেকে পাইছিল। সেইকাৰণে তেওঁলোকে তেওঁক প্রথমে বীৰেশ্বৰ বুলি মাতিছিল। পিছত তেওঁৰ নাম থলে নৰেন্দ্রনাথ দত্ত। কিন্তু গোটেই জগতে আজি তেওঁক স্বামী বিবেকানন্দ বুলি জানে। বিবেকানন্দ নাম কেতিয়া আৰু কেনেকৈ তেওঁ পালে ফ্রান্সৰ বিখ্যাত পণ্ডিত ৰোঁমা ৰোলাই (Romain Rolland) এইদৰে লিখিছে—

"He loved philosophic discussions. It was this mania for argument, criticism, "discrimination", that later won for him the name of Vivekananda,"—"তেওঁ দার্শনিক তত্ত্ব আলোচনা ভাল পাইছিল। এই আলোচনা আৰু সূক্ষ্ম বিচাৰ শক্তিৰ স্পৃহাই তেওঁক পিছত বিবেকানন্দ নাম দিয়ালে।" সকলেই তেওঁৰ তীক্ষ্ণ বুদ্ধি, অসাধাৰণ স্মৃতি শক্তি আৰু মনৰ বল দেখি মানুহে আচৰিত হৈছিল। তেওঁ প্রকৃত ব্রহ্মচাৰী আৰু স্বাস্থ্যৱান আছিল। তেওঁৰ শৰীৰৰ গঠন আৰু চেহেৰা অতি ধুনীয়া আছিল, বিশেষকৈ তেওঁৰ চকুযুৰিয়ে সকলোকে মুগ্ধ কৰিছিল। ইংৰাজী ভাষাত কবলৈ গলে "His eyes were the lamps of his soul." সঁচাকৈয়ে চকুযুৰি তেওঁৰ আত্মাৰ প্রতিবিম্ব আছিল। তেওঁৰ জ্ঞান লিপ্সা অতুলনীয়। বিজ্ঞান শাস্ত্র, ধর্ম্ম শাস্ত্র, জ্যোতিষ শাস্ত্র, দর্শন আৰু কাব্য শাস্ত্র ইত্যাদি সকলো তেওঁ ছাত্রাৱস্থাতেই আয়ত্ত

কৰিছিল। কোনো বিষয় তেওঁ নজনা নাছিল। ইংৰাজীত এটা কথা আছে "Drink deep or taste not the pierian spring." প্রকৃততে জ্ঞান সলিলত তেওঁ নিমগ্ন আছিল। তেওঁ হৈছে কলিকতা বিশ্ববিদ্যালয়ৰ বি, এ উপাধিধাৰী। ইংৰাজীত যি অনর্গল বক্তৃতা তেওঁ দিছিল আৰু যি ইংৰাজী লিখিছিল তাত আনকি পাশ্চাত্য পণ্ডিতো স্তম্ভিত হৈছিল

ইংৰাজী ১৮৩৬ খৃষ্টাব্দত আৰু এটি উজ্জ্বল তৰা দেখা দিছিল। তেওঁ হৈছে ক্ষুদিৰাম চট্টোপাধ্যায়ৰ তৃতীয় পুত্র শ্রীশ্রীৰামকৃষ্ণ পৰমহংসদেৱ। ৰামকৃষ্ণদেৱেই আছিল বিবেকানন্দৰ পথপ্রদর্শক। ৰোঁমাৰোলাই ৰামকৃষ্ণৰ জীৱনী পুথিত (The life of Ramkrishna) লিখিছে "The torrent forming the remarkable destiny of Vivekananda would have been lost in the bowels of the earth, if Ramkrishna's glance had not, as with one blow of an axe, split the rock barring its way, so that through the breach thus made the river of his soul could flow." চুকৈ কব গলে, উভয়ৰ অপূর্ব্ব মিলন নোহোৱাহেতেন বিবেকানন্দ আজি জগত প্রখ্যাত হব নোৱাৰিলেহেতেন।" সঁচা কাল পৰাই বিবেকানন্দৰ সত্য আৰু দিব্য-জ্ঞান গভীৰ নিমিত্তে বৰ ব্যাকুলতা আছিল। তেওঁৰ কাণত পৰিছিল "যং সত্যম্ তং ধ্রুবম্ যং অসত্যম্ তং অধ্রুবম্।" সত্য কি? সত্য থাকে ক'ত? সত্যক কোনোবাই দেখা পাইছে নে? বিবেকানন্দৰ মনত এইবোৰ প্রশ্ন উদয় হল। উত্তৰ বিচাৰে। উত্তৰ নাপায়। সঠিক উত্তৰ তেওঁক কোনেও দিব নোৱাৰে। ঘটনাক্রমে ৰামকৃষ্ণৰ নাম শুনি তেওঁ শ্রীশ্রীৰামকৃষ্ণ পৰমহংসৰ ওচৰলৈ গ'ল। ৰামকৃষ্ণক বিবেকানন্দই প্রশ্নকেইটা সুধিলে। উত্তৰ পালে। আচৰিত হল। স্বর্গীয় আনন্দ পালে। সত্যৰ সাক্ষাৎ হবলৈ তেওঁৰ অভিলাষ দুগুণে বাঢ়িল। তেওঁ দেখিলে ৰামকৃষ্ণই সর্ব্বস্বত্যাগ কৰিছে; ভগৱানকে অনৱৰত দেখিছে, সমাধিস্থ হৈছে। মুখত কেৱল ভগৱানৰ নাম। দিনেৰাতি ৰামকৃষ্ণই ভগৱানৰ কথাহে কয়। বিবেকানন্দই ৰামকৃষ্ণৰ শ্রীচৰণত মন-প্রাণ সঁপি দিলে। ৰামকৃষ্ণয়ো উপযুক্ত শিষ্য পালে। তেওঁৰ ধর্ম্মত বিবেকানন্দক দীক্ষিত কৰিলে। গোটেই জগতত হিন্দু ধর্ম্ম প্রচাৰ কৰিবলৈ ৰামকৃষ্ণই তেওঁক প্রস্তুত কৰিলে। বিবেকানন্দয়ো ইতিমধ্যে কঠোৰ সাধনা কৰি সত্য কি উপলব্ধি কৰিলে। তেওঁৰ মনৰ কামনা পূর্ণ হল। ১৮৮৬খৃষ্টাব্দত ৰামকৃষ্ণ পৰমহংসদেৱ স্বর্গী হল। বিবেকানন্দৰ ওপৰত এতিয়া আচল কামৰ ভাৰ পৰিল। তেওঁৰ প্রধান কর্ম্ম হল হিন্দু ধর্ম্ম কি—তাক প্রাচ্য আৰু পাশ্চাত্য জগতত বুজাই দিয়া। ইয়াৰ কাৰণে তেওঁ জাপান, আমেৰিকা, জার্ম্মাণ, ফ্রান্স আৰু ইংলণ্ডলৈ গৈছিল। পৃথিবীৰ প্রধান প্রধান দেশবোৰ ভ্রমণ কৰি হিন্দু ধর্ম্মৰ ব্যাখ্যা কৰিলে।

যি বাণী তেওঁ প্রচাৰ কৰিছিল তাৰ প্রতিধ্বনি এতিয়াও আছে। এই প্রতিধ্বনি কেতিয়াও মাৰ নাযায়। ই চিৰকালেই থাকিব। তেওঁৰ বাণী কিতাপ আকাৰত ছপা হৈ ওলাইছে। পঢ়িলে শৰীৰ ৰোমাঞ্চিত হয়। তেওঁৰ প্রত্যেক বাণীয়ে মনৰ দুর্ব্বলতা আঁতৰ কৰে, শৰীৰত নবীন শক্তি দিয়ে। তেওঁৰ বাণী হৈছে—"Stimulating and soul encouraging"—উত্তেজক আৰু আনন্দদায়ক। ১৮৯৩ খৃষ্টাব্দত চিকাগোত বহা ধর্ম্মসভাত বিবেকানন্দই হিন্দুধর্ম্মৰ বিষয় যি বক্তৃতা দিছিল সেই তেজস্বী বক্তৃতাই উপস্থিত মণ্ডলীক চমক লগাই দিলে। শ্রোতৃবর্গই ৰ লাগি তেওঁৰ বক্তৃতা শুনি আছিল। হিন্দু ধর্ম্মও যে এটা উচ্চতম ধর্ম্ম তাক পাশ্চাত্য লোকসকলক তেওঁ কৈ দিলে। সভামণ্ডপত থিয় হৈ তেওঁ এইদৰে কৈছিল—" I am proud to belong to a religion which has taught the world both tolerance and universal acceptance. I belong to a religion into whose sacred language, the Sanskrit, the world exclusion is untranslatable. I am proud to belong to a nation which has sheltered the persecuted and the

refugees af all religions and all nations of the earth." যি হিন্দু ধৰ্ম্মই মানৱ জাতিৰ সহিষ্ণুতা শিকায় সেই ধৰ্ম্মৰ মানুহ বুলি বিবেকানন্দই পৰিচয় দিলে। পৃথিবীৰ আদি ভাষা সংস্কৃত যে কিমান উচ্চ ধৰণৰ তাকো তেওঁ কলে। হিন্দুজাতিৰ উদাৰতাৰ বিষয়ো কলে। সেই সভাতে হিন্দুধৰ্ম্মৰ লক্ষ্য কি তেওঁ এইদৰে কৈছিল—

—"So the whole struggle In their system is a constant struggle to become perfect, to become divine, to reach God and see God, and in thus reaching God, seeing God, and becoming perfect, even as the father in Heaven is perfect, consists the religion of the Hindus." তেওঁ কৈ দিলে এই হিন্দু ধৰ্ম্মই শিকায় পবিত্ৰ হবলৈ আৰু পথ দেখুৱাই দিয়ে ঈশ্বৰক পাবলৈ। ১৯০০ খৃষ্টাব্দত কেলিফোৰ্ণিয়াত যীশু খৃষ্টৰ বিষয় বক্তৃতা দিওঁতে তেওঁ সচাকৈয়ে কৈছিল —" The voice of Asia has been the voice of religion. The voice of Europe is the voice of politics. Each is great in its own sphere." অৰ্থাৎ "এচিয়াৰ ধ্বনি ধৰ্ম্ম, য়ুৰোপৰ বৰ বাজনীতি। প্ৰত্যেকটোই নিজৰ নিজৰ ঠাইত উচ্চ।"

বিবেকানন্দ আছিল স্বদেশ ভক্ত। ভাৰতবাসীৰ প্ৰতি তেওঁৰ প্ৰগাঢ় প্ৰেম আছিল। ভাৰতবাসীসকলক আহ্বান কৰি যি এটি বঙালী প্ৰবন্ধ "উদ্বোধন" কাকতত লিখিছিল তাৰ প্ৰত্যেকটো কথা আজিও আমাৰ কাণত পৰি থাকে। প্ৰবন্ধটোৰ ইংৰাজী অনুবাদৰ কিছুমান ইয়াত তুলি দিয়া হল—Oh India ! forget not that the ideal of thy womanhood is Sita, Savitri Damayonti, Thou brave one, be bold, take courage, be proud that thou art an Indian. The Indian is my brother—the Indian is my life, India's God, and Goddess are my God. India's society is the cradle of my infancy, the pleasure garden of my youth, the sacred haven, the Baranasi of my old age." অৰ্থাৎ "হে ভাৰত ! নাপাহৰিবা তোমাৰ নাৰী জাতিৰ আদৰ্শ সাৱী, তিৰোতা হৈছে সীতা, সাৱিত্ৰী, দময়ন্তী। হে বীৰ ! সাহসী হোৱা, নিভীকতা হোৱা, গৰ্ব্বিত হোৱা যে তুমি ভাৰতবাসী। ভাৰতবাসী মোৰ ভাই, ভাৰতবাসী মোৰ প্ৰাণ, ভাৰতবৰ্ষৰ ঈশ্বৰ আৰু ঈশ্বৰী মোৰ ঈশ্বৰ, ভাৰতৰ সমাজেই মোৰ শৈশৱ কালৰ দোলনা যৌৱনকালৰ উদ্যান, বৃদ্ধকালৰ কাশীধাম।" মাদ্ৰাজত এবাৰ বক্তৃতা দিওঁতে বিবেকানন্দই কৈছিল—" "up India and conquer the world with your spirituality"—উঠা, ভাৰত উঠা! গোটেই জগতক তোমাৰ ধৰ্ম্মেৰে জয় কৰা "। ইয়াকেই কয় প্ৰেম। ইয়াকেই কয় স্বদেশানুৰাগ। ইংৰাজী ১৮৯৩ খৃষ্টাব্দত জাপানলৈ গৈ তেওঁ ভাৰতবাসীসকলক উদ্দেশ্য কৰি এখন চিঠি এইদৰে লিখিছিল—"Come, see these people and go and hide your faces in very shame. Come, be men. Come out of your narrow holes and have a look abroad. See how nations are on their murch," আজি সকলোৰে চকু জাপানীসকলৰ ওপৰত। বিশেষকৈ "আহা এই মানুহবোৰক চোৱা, মোৱা আৰু লাজত তলমুৰ কৰাগৈ" হৃদয়ত লগা কথা। ৪২ বছৰৰ আগেয়েই বিবেকানন্দই জাপানী জাতিৰ উন্নতিত মুগ্ধ হৈ মনত লগা কথা কেইটা লিখিছিল।

তেওঁ আছিল অগাধ পণ্ডিত। বেদ, বেদান্ত, পুৰাণ, উপনিষদ, শ্ৰীমদ্ভাগৱদ্গীতা ইত্যাদি হিন্দু ধৰ্ম্ম শাস্ত্ৰবিলাকৰ যি সোৱাদ তেওঁ নিজে পাইছিল সেই সোৱাদ আনকো দিছিল। তেওঁৰ বেদ, বেদান্তৰ ব্যাখ্যাই শ্ৰোতাসকলৰ ধৰ্ম্মলিপা বঢ়াইছিল। বেদান্তৰ ধ্বনিবে তেওঁ ভাৰত আৰু পাশ্চাত্য জগতক কঁপাইছিল। তেওঁ আছিল বেদান্তিক। এবাৰ স্বামী বিবেকানন্দ ওৱাহাটীলৈ আহিছিল। তেওঁক অভ্যৰ্থনা কৰিবলৈ ওৱাহাটীৰ ভদ্ৰলোকসকলে এখন সভা পাতিছিল। সেই সভাত আঠঘৰীয়াৰ মহামহোপাধ্যায় বীৰেশ্বৰাচাৰ্য্যদেৱো উপস্থিত আছিল। সভাত বিবেকানন্দই সংস্কৃততে বক্তৃতা দিছিল।

সভামণ্ডপত আচাৰ্য্যদেৱে হঠাৎ থিয় হৈ বিবেকানন্দৰ সংস্কৃত কথাত দুটা নে এটা ভুল ধৰিলে। দেউ হঠাতে থিয় হোৱা দেখি ভদ্ৰলোকসকলে তেওঁক বহিবলৈ অনুৰোধ কৰিলে। কিন্তু বিবেকানন্দই ভুল শুধৰণিত একো বেয়া নাপালে। বৰং তেওঁ ভুলটো স্বীকাৰ কৰি আচাৰ্য্যদেৱক কলে "মোৰ সংস্কৃত কোৱা অভ্যাস বেচি নাই।" এই কথা কেইটাই কেনে সুন্দৰ প্ৰমাণ যে তেওঁৰ অহং ভাব মুঠেই নাছিল। কাৰণ তেওঁ আছিল আদর্শ মানৱ, আদর্শ জ্ঞানী, আদর্শ পণ্ডিত। যি অস্পৃশ্য বৰ্জ্জনৰ ঢৌ আজি সমগ্ৰ ভাৰতত ব্যাপি গৈছে আৰু জগতশ্ৰেষ্ঠ মহাত্মাগান্ধীৰ চেষ্টাত যি এই আমাৰ অতি পুৰণি ঘৃণনীয় দোষটো ক্ৰমান্বয়ে নোহোৱা হব ধৰিছে তাৰ অঙ্কুৰ বিবেকানন্দৰ কথা কেইটাত কুটি ওলাইছে। অমুক স্পৃশ্য অমুক অস্পৃশ্য এই ভাৱটোৱে আমাক ঘোৰ অনিষ্ট কৰিছে। এই বহুদিনীয়া ভুল ভাৱটো ত্যাগ কৰিবলৈ ভাৰতবাসীসকলক বিবেকানন্দই সতর্ক কৰি কৈছিল—"As long as 'Touch-me-notism' is your creed and kitchen pot your deity you cannot rise spiritually" অৰ্থাৎ—"যেতিয়ালৈকে তোমাৰ ধৰ্ম্ম হব "মোক ছুবা" আৰু বান্ধনী বাচন হব তোমাৰ দেৱতা তুমি আধ্যাত্মিক উন্নতি কৰিব নোৱাৰা"। এই কথাষাৰ প্ৰত্যেকেই মন কৰা উচিত। কথাষাৰ আগবে আথবে সত্য।

বিবেকানন্দৰ বিষয় লিখিব গলে বহুত কথা লিখিব লাগে। অন্ত নহয়। তেওঁ আছিল সিদ্ধ পুৰুষ। তেওঁ চিৰ নমস্য। তেওঁৰ অতি মমৰম শিষ্য চিচতাৰ নিবেদিতাই (Sister Nivedita) বিবেকানন্দক কৈছিল—"An Eastren teacher in an Eastern world." বিবেকানন্দ আছিল "প্ৰাচ্য জগতৰ প্ৰাচ্য গুৰু"।

মৌন-বীণা

কবিতা— —শ্ৰীযুত কৰুণাকান্ত গগৈ

কত যুগ হ'ল বীণা ! পৰিছে মনত
সেই দিনা কি যে আনন্দৰ দিন'—
উজৰ সভাৰ সেই উকঙা ৰভাত
দিদিনা তোমাৰ তন্ত্ৰী উঠিছিল কঁপি
ধীৰ মন্থৰেগে, আৱেশত কৰি পুলকিত
গছ বন, ৰাৰি-লতা, বনৰ বিহগ।
মুগ্ধ পৰনে বৈ সেই সুৰ বোকোচাত
বিয়পালে পৰ্ব্বতে প্ৰান্তৰে, প্ৰচাৰিলে
দিগ্বিদিগন্ত, বৈ গল আনন্দ বাতৰি
কাননে কাননে ফুলৰ শৰাই যেন
গছৰ শাখীয়ে তোমাৰ সুৰবে সখি
ধৰিলে যোগান। শূন্যে শূন্যে ধ্বনি হ'ল
আনন্দ কল্লোল ; তাৰ সেই মধুময়
অন্তিম মূৰ্চ্ছনা ধীৰে ধীৰে মিলি গল
মহা শূন্যেনত—মহাকাশ'ই।
(আজি) পাহৰিলে সকলোৱে, পাহৰিলে সেই
সুৰ তোমাৰেই বুলি, গছলতা, গিৰি
বন, বনৰাচৰায়ে, প্ৰকৃতি দেউীয়ে,
যদিও উঠিছে বাজি অনবদ্য সুৰে—
সেই সুৰ বিহগ কণ্ঠত, অবিৰাম
কলনাদে খৰস্ৰোতা তটিনী বুকত।
সেই সুৰে তুলিছে কঁপনি আকাশত,
বতাহত, বিবহীৰ উকঙা হিয়াত।
বৈ বৈ তাবে ধ্বনিবোৰ প্ৰতিধ্বনি
সঘনে তুলিছে মোৰ এই অন্তৰৰ
নিভৃত কোণত—।

বিশ্ব-প্ৰৱাহ

য়ুৰোপৰ সমস্যা লৈ তিনি মহাশক্তিৰ মিলন

য়ুৰোপৰ জটীল সমস্যাবোৰনো কেনেকৈ সমাধান কৰিব পাৰি তাকে লৈ য়ুৰোপৰ তিনি মহাশক্তিৰ প্ৰতিনিধিস্বৰূপে ইংলণ্ডৰ প্ৰধান মন্ত্ৰী ৰাম জে মেকডোনাল্ড, ইটালিৰ মুছোলিনী আৰু ফ্ৰান্সৰ প্ৰধান মন্ত্ৰী এম ফ্ৰডিন যোৱা



চিনৰ মুছলিনীয়ে আহি উৰা জাহাজেৰে 'আইছোলা বেলা' পাইছেহি।

এপ্ৰিল মাহত ষ্ট্ৰেচাত (বৰমিয়ান দ্বীপসমূহ) লগ হৈছিল। আচলতে 'আই চোলা বেলা' দ্বীপৰ বৰ'মিও কাচলত এই সম্মিলন বহিছিল। সেইবাবে তাৰ মিউজিক হলটো অতি জাক-জমককৈ সজোৱা হৈছিল আৰু তেতিয়াৰপৰা সেই হলটো 'কনফাৰেন্স' হল নাম থোৱা হৈছে। এই সম্মিলন উপলক্ষে বৰমিওৰ ৰাজ পৰিয়ালে তেওঁলোকৰ মিলানৰ ৰাজভৱনৰ পৰা নানা ৰকম শিল্পজাত ধুনীয়া বস্তু 'কাচললৈ' আনিছিল। এই সম্মিলন প্ৰায় চাৰিদিন ধৰি হৈছিল। প্ৰথম দিনাৰ অধিবেশনৰ পিছত ব্ৰিটীছ আৰু ফ্ৰেঞ্চ প্ৰতিনিধিয়ে তাৰ ওচৰতে 'পালানাজা' বোলা ঠাইত



বৃটীছ প্ৰধান মন্ত্ৰীয়ে মুছোলিনী আহি পোৱাত আগবঢ়াই আনিছে।



বৰমিও কাচল—ইয়াতেই অধিবেশন বহিছিল

থকা ফিল্ড মাৰ্চেল কডোৰ্ণাৰ সমাধি মন্দিৰ চাবলৈ গৈ তাত একো ধাৰিকৈ মালাদান কৰি আহিছিল।

অসমত অমৃত কউৰ



পুৰণ চিন দিয়া গৰাকী শ্ৰীযুতা কউৰ তেখেতৰ দাতিত বাওঁফালে শ্ৰীযুতা গিৰিবালা দেৱী (শ্ৰীযুত কৃষ্ণ নাথ শৰ্ম্মাৰ মাক)। ছবিৰ একেবাৰে বাওঁফালে দাতিত শ্ৰীযুত কৃষ্ণ নাথ শৰ্ম্মা।

[ফট'—শ্ৰীযুত শিৱনাথ শৰ্ম্মা।

ফ্ৰান্সত আত্মৰক্ষাৰ অনুশীলন



বোমাৰ বিষাক্ত গেচ কেনেকৈ নিবাৰণ কৰা যায় তাক ফ্ৰান্সৰ সৈনিকসকলে পেৰিচত অনুশীলন কৰি দেখুৱাইছে।

আকাশীয়ান ওলোৱাৰ পৰা ওপৰৰ পৰা বোমা পেলাই শত্ৰুপক্ষক আক্ৰমণ কৰা হয়। এনে আকস্মিক আক্ৰমণৰ পৰা হাত সাৰিবলৈ সকলো দেশে নানা উপায় উদ্ভাৱন আৰু অৱলম্বন কৰিছে। ফ্ৰান্সৰ সৈন্যবিভাগেও বোমাৰ পৰা ওলোৱা বিষাক্ত গেচ নিবাৰণ কৰিবলৈ নানা ৰকম শিক্ষা লৈছে। বিষাক্ত গেচেৰে আক্ৰান্ত মানুহক ততালিকে আঁতৰাবলৈ নতুন ধৰণৰ গাৰী সাজিছে। তেওঁলোকৰ এই শিক্ষা আৰু উপায় কিমানখিনি কাৰ্য্যকৰী হৈছে তাৰে অনুশীলন অলপতে হৈ গল। তাৰ উপৰিও সৰ্ব্বসাধাৰণক এনেকুৱা আক্ৰমণৰ পৰা কেনেকৈ ৰক্ষা কৰিব পৰা যায় তাকো দেখুৱা হৈছিল।

আন এগৰাকী বিখ্যাত মহিলা বৈমানিক

এমেলিয়া ইয়াৰ হাৰ্ট আমেৰিকাৰ এগৰাকী বিখ্যাত বৈমানিক। তেওঁ অলপতে একেৰাহে কতো নৰোৱাকৈ মেক্সিকো নগৰৰপৰা নিউ য়ৰ্কলৈ ২১০০ মাইল বাট ১৪ ঘঃ ১৮ মিঃত উৰি নতুন ৰেকৰ্ড



এমিল ইয়াৰ হাৰ্ট—নতুন ৰেকৰ্ড ৰখাৰ বাবে মেক্সিকান গৱৰ্ণমেণ্টে অভিনন্দন জনাইছে।

ৰাখিছে। তেওঁৰ এই কৃতকাৰ্য্যতাৰ বাবে মেক্সিকান গৱৰ্ণমেণ্টে অভিনন্দন জনাইছে।

গুৱাহাটী কলেজিয়েট স্কুলৰ শত বাৰ্ষিক উৎসৱ

এপ্ৰিল মাহৰ ৩, ৪, আৰু ৫ পাঁচ তাৰিখে গুৱাহাটী কলেজিয়েট স্কুলৰ শত বাৰ্ষিক উৎসৱ অতি সমাৰোহে সম্পন্ন



গুৱাহাটী কলেজিয়েট স্কুলৰ শত বাৰ্ষিক উৎসৱ

হৈ গল। শিক্ষামন্ত্ৰী মৌলবী আবদুল হামিদ চাহাবক সভাপতি আসনত বৰণ কৰা হৈছিল। বিভাগীয় ডাইৰেক্টৰ চাহাব মি স্মল আৰু হৈদপেক্টৰ মহাশয় উপস্থিত আছিল। কলেজিয়েটৰ পুৰণি ছাত্ৰবৃন্দ, নগৰৰ গণ্য-মান্য লোকসকল আৰু ছাত্ৰৰ অভিভাৱকসকলে তিনিদিনীয়াকৈ পতা উৎসৱত যোগদান দি অনুষ্ঠানৰ শোভা বৰ্দ্ধন কৰিছিল। হেডমাষ্টৰ মহাশয়ৰ বিগৰ্ত অসমৰ শিক্ষাবিষয়ক ক্ৰমোন্নতিৰ ইতিহাস সুন্দৰ ভাৱে বৰ্ণিত হৈছিল। পুৰণি ছাত্ৰৰ সভাত কলেজিয়েটৰ বৃদ্ধতম ছাত্ৰ বায়বাহাদুৰ কালীচৰণ সেন বি-এল এ সভাপতিত্ব কৰিছিল।

শিল্পী যুৱকৰ কৃতিত্ব

শ্ৰীমান প্ৰদীপ চলিহা কটন কলেজৰ ২য় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। তেওঁ কম বয়সতে কলাবিদ্যাত বিশেষ ভাবে ব্যুৎপত্তি লাভ কৰিছে। মোৰা ৺ সৰস্বতী পূজা উপলক্ষে ছোৱা কটন কলেজৰ কলা প্ৰতিযোগিতাত তেওঁ কেইবটাও পুৰস্কাৰ লাভ কৰিছে। সেই প্ৰতিযোগীতাত তেওঁৰ প্ৰাচ্যকলা অনুসৰি ঘঢ়া ৺ সৰস্বতীৰ প্ৰতিমাখনি এটি চাৰলগীয়া বস্তু হৈছিল। সেই প্ৰতিমাৰ সূক্ষ্মকাম দেখি সকলো দৰ্শক চমকৃত হৈছিল। তেওঁ এইবাৰ "জুবিলি" উপলক্ষে খিলঞত হোৱা প্ৰদৰ্শনীত দিয়া "ইংলিচপেইন্টিং" খনি এখনি আচৰিত ধৰণৰ চিত্ৰ আছিল। এই ছবিখনি এনে সৰ্ব্বাঙ্গ সুন্দৰ হৈছিল যে, ছবিখনি দেখিলে কোনেও কব নোৱাৰে যে, কোনো "আৰ্টস্কুলত" শিক্ষা নোপোৱাকৈ তেওঁ এনে সুন্দৰ



ছবি আঁকিছে। আমি এই শিল্পী যুৱকৰ উন্নতি কামনা কৰোঁ।

লাচিত ববফুকন

অধ্যাপক—শ্ৰীযুত সূর্য্যকুমাৰ ভূঞা এম-এ, বি-এল

[১৯৩৫ চনৰ জুন মাহৰ ৮,৯ আৰু ১০ তাৰিখে পুনাত বহা 'অখিল ভাৰতীয় আধুনিক ইতিহাস পৰিষদৰ' (All Indian Modern History Congress) প্ৰথম অধিবেশনত, কটন কলেজৰ অধ্যাপক শ্ৰীযুত সূর্য্যকুমাৰ ভূঞা দেৰে পাঠ কৰা, শিৱাজী মহাৰাজৰ সমসাময়িক আৰু অম্বৰাধিপতি মোগল সেনানায়ক ৰামসিংহৰ অপৰাজেয় প্ৰতিদ্বন্দ্বী অসমীয়া বীৰ লাচিত ববফুকনৰ বিষয়ে লিখা ইংৰাজী প্ৰবন্ধৰ সাৰাংশ। এই সাৰাংশ ইংৰাজীত ছপা কৰি সভাস্থ সকলোকে বিলোৱা হৈছিল।—]

মহাৰাষ্ট্ৰা কেশৰী শিৱাজী মহাৰাজে দাক্ষিণাত্যত মোগল ৰাজক্ষমতাৰ গতিৰোধ কৰাৰ ঠিক একে সময়তে অসমতো এজন প্ৰবল পৰাক্ৰমী বীৰৰ আবিৰ্ভাৰ হৈছিল। এইজন বীৰেই সম্ৰাট আওৰংজেবৰ সুদূৰ পূৰ্ব্বভাৱতত মোগল আধিপত্য স্থাপনৰ আকাঙ্ক্ষা সমূলে নিৰ্ব্বাপিত কৰিছিল; আৰু তেৱেই আছিল মৌৰ্জ্জাৰাজ জয়সিংহৰ পুত্ৰ মোগল সেনাপতি ৰামসিংহৰ দৰ্পহাৰী অসমীয়াৰ জাতীয় বীৰ লাচিত ববফুকন। শিৱাজী মহাৰাজ আৰু বিশ্ব শুৰু তেগ বাহাদুৰৰ মোগল ৰাজধানীৰ পৰা গোপন মুক্তিৰ সহায় কৰা বুলি সন্দেহ কৰি ৰামসিংহক মোগল ৰাজদৰ্ব্বাৰ পৰা নিৰ্ব্বাসিত কৰাৰ পাছত পাদশাহী ৰাৰ্য্যকামত অৱহেলা কৰাৰ অপৰাধৰ শাস্তি প্ৰদান উদ্দেশ্যে আহোমৰ হাতৰ পৰা গুৱাহাটী উদ্ধাৰৰ অৰ্থে আওৰংজেবে ৰামসিংহক সেনাপতি পাতি অসমলৈ পঠিয়ায়। ১৬৬৭ চনৰ জানুৱাৰী মাহত স্বৰ্গদেৱ জয়ধ্বজ সিংহ আৰু মীৰজুমলাৰ মাজত কৰা সন্ধিসূত্ৰে গুৱাহাটী মোগলৰ অধীনস্থ আছিল। ১৬৬৭ চনৰ আগষ্ট মাহত লাচিত ববফুকনে গুৱাহাটী সমষিতে নামনি অসম মোগলৰ পৰা পুনৰ উদ্ধাৰ কৰে।

আহোমে পতা ফুলুনি জালত আৱদ্ধ হৈ ৰামসিংহই গুৱাহাটীৰ দুৰ্গম যুদ্ধক্ষেত্ৰৰ অভিমুখে আগবাঢ়িবলৈ ধৰে। চাৰিওফালে পৰ্ব্বত, মাটীৰ গড়, আৰু সৈন্যৰ দ্বাৰা সুৰক্ষিত, মদাত বিশাল ব্ৰহ্মপুত্ৰ নদ, এইহেন দেৱৰেো দুৰ্গম বিশ্বকৰ্ম্মা নিৰ্ম্মিত গুৱাহাটিৰ বেহুৰ মাজত সুমুৱাই লব পাৰিলে যেই সেই শত্ৰুকে এসেকা দিবলৈ অসমীয়াৰ পক্ষে একো টান কথা নাছিল। ৰামসিংহই গুৱাহাটীৰ দুৰ্গবেহুৰ ওচৰে পাঁজৰে থাকি গুৱাহাটী ওজোটাই পাৰৰ কাৰণে লাচিত ববফুকনলৈ কেবাবাৰো প্ৰস্তাৱ পঠিয়ায়। ৰামসিংহৰ প্ৰস্তাৱ আৰু ফুচুলনিত আহোম সৈন্য অকনো বিচলিত হোৱা নাছিল, তেওঁলোকে যুদ্ধৰ কাৰণে সষ্টম হৈ আছিল, আৰু বাহিৰে শব্দৰ লগত মিলা প্ৰীতিৰ ভাৱেো দেখাই আছিল। ১৬৬৯ আৰু ১৬৭০ খৃষ্টাব্দত দুয়োপক্ষৰে কেইবা ঠাইতো সকসুৱা যুদ্ধ চলিছিল, কিন্তু কোনো ফালৰেই উল্লেখযোগ্য হাৰজিত হোৱা নাছিল।

সৈন্যাধ্যক্ষ লাচিত ববফুকনৰ পৰিচালনাত অসমীয়া সৈন্যৰ যুদ্ধনীতি আৰু ৰণকৌশলৰ সকলো নিহিত শক্তি বিকাশ হৈছিল। সৈন্যৰ মাজত কোনো প্ৰকাৰৰ ক্ৰটীৰ উদ্ভব হলেই ববফুকনে তাক কঠোৰ ভাৱে আৰু তুৰন্তে দমন কৰিছিল। অসমীয়া সৈন্যৰ একমাত্ৰ সকল আছিল মোগলৰ গুৱাহাটী অধিকাৰৰ চেষ্টা ব্যৰ্থ কৰা। ৰামসিংহই ভেটি আৰু উপহাৰ আদি প্ৰস্তাৱ কৰি নানান চক্ৰান্তৰে আহোম বিষয়া আৰু সেনাপতি সকলক হাত কৰিবলৈ আৰু তেওঁলোকৰ মাজত বিবোধ ঘটাবলৈ চেষ্টা কৰিছিল। ৰাজপুত বীৰ ৰামসিংহ আৰু তেওঁৰ পিতৃদেৱ মীৰ্জ্জাৰজা জয়সিংহই মোগলৰ সপক্ষে যুদ্ধ কৰিবলৈ গৈ কোনো কোনো ঠাইত তেনেকুৱা প্ৰলোভন দেখুৱাই সাফল্য লাভ কৰিছিল সঁচা, কিন্তু, অসমত ৰামসিংহৰ তেনে ধৰণৰ চেষ্টা সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছিল। আহোম সেনাবৃন্দ একান্ত দেশভক্ত আছিল। আৰু বিলাস কাক কয় তাৰ তেওঁলোকে ভু নেপাইছিল। তেওঁলোক বঙ্গা আৰু দেশকহে মোৰ বুলি লৈছিল।

ইমান সৈন্য-সামন্ত, আহিলা-পাতি লগত লৈ নিষ্ফল-ভাবে অসমত সুদীর্ঘকাল থকাৰ কাৰণে আওৰংজেব বাদসাহে ৰজা ৰামসিংহৰ কৈফিয়ৎ তলব কৰিলে। সম্রাটৰ ভৎর্সনাত ৰামসিংহই মৰোঁ-জীওঁকৈ গুৱাহাটী অধিকাৰৰ চেষ্টা কৰিলে। সেই অৰ্থে ৰামসিংহই নাৱত অশ্বাৰোহী সৈন্য তুলি কামাখ্যাৰ সমীপত ব্ৰহ্মপুত্ৰ পাৰহৈ গুৱাহাটী সোমাবলৈ যত্ন কৰিবলৈ ধৰিলে। ৰাজ্যৰ এনে সঙ্কট অৱস্থা দেখি প্ৰবল পৰাক্ৰান্ত লাচিত বৰফুকনে নৰীয়া-শয্যা ত্যাগ কৰি আহি নিজৰ নাও মাজ-ব্ৰহ্মপুত্ৰলৈ মেলি দি একে সময়তে মোগলৰ নাও বেৰি ধৰি গুলিয়াবলৈ অসমীয়া সৈন্যক আদেশ দিলে। অসমীয়াৰ আক্ৰমণত মোগলৰ যুদ্ধ নাও থানবান হ'ল, কিছুমান ডুবিল, কিছুমান ভাঙ্গি চুৰমাৰ হ'ল। তাকৰীয়া ৰণশেষ সৈন্যৰে ৰামসিংহই গুৱাহাটী এৰি যাবলৈ বাধ্য হ'ল। এই যুদ্ধ ১৬৭১ খৃষ্টাব্দত লাগিছিল, আৰু ই "শৰাই ঘাটৰ যুদ্ধ" বুলি প্ৰখ্যাত। অসমীয়াৰ ধাৰণাত এই যুদ্ধ অসমীয়াৰ "থাৰমোপলী" আৰু "মাৰাথন"। যুদ্ধত হাৰি ৰাম সিংহই মোগলৰ থানা ৰঙ্গামাটীত থাকি পুনৰ অসম আক্ৰমণ কৰিবৰ সুবিধাৰ কাৰণে বাটচাই আছিল। কিন্তু অসমীয়াৰ অনিদ্ৰ সতৰ্কতাৰ কাৰণে ৰামসিংহই এই চেষ্টা কৰিবলৈ বাধ্য হ'ল।

ৰামসিংহৰ পিতৃদেব মীৰ্জ্জাৰজা জয়সিংহই ছলে-বলে কৌশলে শিবাজী মহাৰাজফ আগ্ৰালৈ নি সম্ৰাট আওৰংজেবৰ হাতত সমৰ্পণ কৰিছিল। জয়সিংহৰ পুতেক ৰামসিংহই অসমীয়া সেনানায়কৰ লগতো সেই একে চক্ৰান্ত আৰু কৌশল প্ৰয়োগ কৰিছিল। কিন্তু লাছিতৰ চিৰযশস্যাৰ কাৰণ এই যে—জয়সিংহ শিৱাজীৰ স্থলত কৃতকাৰ্য্য হৈছিল, পুতেক ৰামসিংহ কিন্তু অসমত সেই একে গুটি বুলাৱলৈ গৈ বিফল মনোৰথ হ'ল। শৰাইঘাটৰ যুদ্ধৰ সামৰণিত অসমীয়াৰ যুদ্ধবিক্ৰমৰ প্ৰশংসা কৰি ৰামসিংহ ৰজাই কৈছিল, "ধন্য ৰজা ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা, একে আদমিয়ে সকলো সেনা চলাইতে পাৰে। মই হেন ৰামসিংহ থলত থাকিয়ো ছিদ্ৰ নাপাওঁ। মই যদি পুনৰ অসম-যুদ্ধলৈ আহোঁ মোক মেটোৰনীৰ ঝাৰুৰে কোবাব"।

শৰাইঘাটৰ যুদ্ধৰ দিনদিয়েকৰ পাচতে পূৰ্ব্বৰ নৰীয়াসূত্ৰে লাচিত বৰফুকনৰ মৃত্যু হয়। ৰামসিংহ অসমত থাকোঁতে তেওঁৰ পুতেক কিশোৰসিংহক সম্ৰাট আওৰংজেবে লাঞ্ছিত কৰিবলৈ চেষ্টা কৰিছিল। বঙ্গৰ নবাব ছায়েস্তা খাঁ নিজেও ৰামসিংহৰ অসম আক্ৰমণৰ সাফল্যত সন্দিগ্ধ আৰু বীতস্পৃহ আছিল। লাচিত বৰফুকনৰ অসাধাৰণ বীৰ বিক্ৰমৰ স্মৃতি জাগ্ৰত ৰাখিবলৈ তেওঁৰ বছেৰেকীয়া তিথি-উৎসৱ সমগ্ৰ অসমত সমাৰোহেৰে পালন কৰা হয়।

বিহু উৎসৱ

—শ্ৰীযুত কামিনী কুমাৰ নাথ এম-এ, বি-এল

বিহু অসমীয়াৰ জাতীয় উৎসৱ। ইয়াৰ উৎপত্তি কোন যুগত হৈছিল ই গৱেষণাৰ বিষয় কিন্তু মোৰ মনেৰে বহাগৰ এই বিহু উৎসৱক আমি "বসন্ত উৎসৱ" বুলিব পাৰোঁ। বসন্ত কাল আদি ৰসৰ উৎস আৰু লীলাভূমি। কবিৰ ভাষাত কবলৈ গলে এই সময়ত মলয়, পৱন ভ্ৰমৰ গুঞ্জণ, কোকিল কূজন আৰু জোনৰ ৰজত কিৰণে তেনেই নীৰস প্ৰাণতো ৰসৰ বান আনে। বিহুৰ নাচ আৰু গান দৰ্শন আৰু শ্ৰৱণ কৰিলে এই কথাকেই সকৰ্থন কৰা যায়। এতিয়াও সুদূৰ গাৱঁত বিহু নৃত্য দেখিলে মন আনন্দৰে পূৰ্ণ হয়। পাশ্চাত্য শিক্ষা বিস্তাৰৰ লগে লগে লগে আমি আমাৰ নিজস্ব বস্তুবিলাকক ঘৃণাৰ চকুৰে চাবলৈ শিকিছোঁ আৰু লোকৰ পৰা ধাৰ কৰা বস্তু বিলাকক সাদৰে গ্ৰহণ কৰি নিজকে নিজে গৌৰৱান্বিত বুলি ভাবিছো। আমাৰ বিহু নাচ সিদিনালৈকে অশ্লীল আৰু ভদ্ৰ সমাজৰ অনুপযুক্ত বিবেচনাত পৰি আছিল।

এনেকুৱা অৱস্থা এদিন ভাৰতৰ আন প্ৰদেশ বিলাকতো হৈছিল। নৃত্য গীতৰ চৰ্চ্চা পুৰণি কালত যি আছিল, নতুন সভ্যতাৰ প্ৰতাপ সেই কলা-শিল্পী ৰঙ্গমঞ্চত

আৰু নটীৰ ঘৰত আশ্ৰয় লৈ অজ্ঞাতবাসত কাল কটাইছিল। কালৰ পৰিবৰ্ত্তনত এই বিলাকে আকৌ ভদ্ৰ সমাজত ঠাই পাইছে। এতিয়া ঘৰে ঘৰে মতা তিৰোতাই নিঃসঙ্কোচে নৃত্য গীতৰ চৰ্চ্চা কৰিব ধৰিছে। সেইবাবে কোনেও কাকো বেয়া বুলি নকয়। বৰং তাৰ অভাৱ হলে সমাজৰ চকুত হেয় বুলি প্ৰতিপন্ন হব লাগে। স্বনাম ধন্য শ্ৰীযুত গুৰু সদয় দত্ত আই, চি, এস্‌ৰ অক্লান্ত চেষ্টা আৰু পৰিশ্ৰমৰ ফলত, ব্ৰতচাৰী, ৰাইবেশে, তাণ্ডৱ আদি নৃত্য আজি কালি বঙ্গলাৰ স্কুলৰ লৰা-ছোৱালী বিলাকক শিক্ষা দিয়া হৈছে। অসমত যে তাৰ প্ৰচলন নহব তাক কব নোৱাৰি! শ্ৰীযুক্ত দত্ত ডাঙ্গৰীয়াই পুৰণাক নতুনৰ আসনত বহুৱাই নৃত্য কলাক জগতৰ আগত ডাঙ্গি ধৰি যশ লাভ কৰিছে। জগৎ প্ৰসিদ্ধ নৃত্যশিল্পী উদয় শঙ্কৰৰ নাম আজি কোনে নেজানে? তেখেতে গোটেই পৃথিৱীখনত ভাৰতীয় নৃত্য কলা প্ৰদৰ্শন কৰি সকলোকে মোহিত কৰিছে। ভাৰতৰ কবি, ভাৰতৰ দাৰ্শনিক, ভাৰতৰ বৈজ্ঞানিক, ভাৰতৰ নৃত্যশিল্পী যেতিয়া পাশ্চাত্য দেশত সমাদৃত হয় তেতিয়াহে আমি তেখেত সকলক উচ্চ আসনত বহুৱাই ভক্তি শ্ৰদ্ধাঞ্জলিৰে পূজা কৰোঁ। কালি লৈ যদি বাতৰি কাকত ওলায় যে বিলাতত বিহু নৃত্যৰ বৰ সমাদৰ হৈছে আৰু ইয়াক "বল নাচৰ" ওপৰত স্থান দিয়া হৈছে তেতিয়াহে আমি তাৰ সমাদৰ কৰিম। অসমৰ প্ৰত্ন তত্ত্ববিদ ডাঃ হাটন আই চি এচ মহোদয়ে এদিন এটা বক্তৃতা প্ৰসঙ্গত কৈছিল প্ৰত্যেক জাতিক বা সম্প্ৰদায়ক তাৰ নিজ সভ্যতাৰ কাঠেৰে জুখিব লাগিব। পাশ্চাত্য বা ভিন্ন দেশীয় সভ্যতাৰ মাপ কাঠিৰে জুখি তাক হেয় কৰা যুক্তিসঙ্গত নহয়। ই বৰ অবিচাৰৰ কথা।

বৰ্ত্তমান সভ্যতাৰ সাঁচত পৰি সমুদায় জাতিয়ে আজি নিজ নিজ বিশেষত্ব হেৰুৱাই ধৰণ-ধাৰণ, চাল-চালন, উৰণত বৈচিত্ৰ্যহীন হব ধৰিছে। আজি উচ্চ শিক্ষা বুলিলেই বি-এ পাছ, ৰং-ধেমালি বুলিলেই থিয়েটাৰ বায়স্কোপ আৰু সাজ পাৰ বুলিলে, পেণ্ট কোট বুলি বুজা যায়। আজি কালি গাৱেঁ ভূঞে আগৰ দিনৰ সেই ভাওনা লুপ্ত হব ধৰিছে। তাৰ ভিতৰত আৰ্ট বা শিল্প নাই,—এই কথা কোনেও কব নোৱাৰে। তাৰ উন্নতি সাধন কৰা যুগুত। ঘোষা, নামধৰা, আৰু সঙ্গীত বিলুপ্ত হব ধৰিছে আৰু তাৰ ঠাই অধিকাৰ কৰিছে গ্ৰামোফোনৰ কক'ল ধ্বনিয়ে য'ত নাই প্ৰাণৰ স্পৰ্শ, নাই ভাৱৰ লেশ।

ইয়াৰ দ্বাৰাই এই কথা কব নোখোজো যে আগৰ দিনৰ আটাই বোৰ অনুষ্ঠানেই ভাল। আৰু তাক ধৰি বহি থাকিব লাগিব, আগবাঢ়িব নেলাগিব। কিন্তু মই ইয়াকেহে কওঁ যে নিজৰ বস্তুক ঘৃণা নকৰি বা দলিয়াই নেপেলাই যদি তাৰ ভিতৰত কিবা অশ্লীলতা বা দোষণীয় ভাৱ আছে তাক পৰিত্যাগ কৰি শিল্প হিচাবে নৃত্য গীতক উচ্চাসন দান কৰি জাতীয় বিশেষত্ব বজায় ৰাখিব লাগে। অতীতৰ ফালে চকু ৰাখি আমি নতুনক অভ্যৰ্থনা কৰিব লাগিব।

কবি ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ এখন কিতাপত লিখিছে ঘড়ীৰ কাটাৰ লগে লগে আমাৰ জীৱনটোক চলোৱা উচিত নহয়, ঘণ্টা বজাৰ লগে লগে উঠিলে আৰু ঘণ্টা বজাৰ লগে লগে বহিলে জীৱনটোৱে সৈনিক জীৱনৰ কঠুৱা ভাৱ ধাৰণ কৰে। তাতকৈ বৰং সময়ে সময়ে নিয়মৰ ব্যতিক্ৰম কৰি নিজৰ ব্যক্তিত্বক প্ৰস্ফুটিত হবলৈ সুযোগ দিয়া উচিত। তেখেতৰ স্থাপিত বোলপুৰ শান্তি নিকেতন বিদ্যালয়ৰ যি বিলাক লৰা ছোৱালীয়ে বিদ্যা শিক্ষা কৰিছে তেওঁলোকৰ বিশেষত্বই এই যে তেওঁলোক প্ৰত্যেকেই নিজৰ স্বাধীন মত মতে নিয়মৰ কঠোৰ বন্ধনৰ পৰা আঁতৰত থাকি আত্মবিকাশ কৰিছে। স্কুলৰ শিক্ষক বিলাক মাখোন ৰখীয়া হিচাতে তেওঁলোক পথ নিৰ্দ্দেশ কৰিছে।

মই আশা কৰোঁ অসমৰ বিহু সন্মিলনীয়েও গতানুগতিক ভাৱে নচলি নিজৰ বিশেষত্ব বজাই ৰাখিবলৈ যত্ন কৰিব।

আজি কালি ঠায়ে ঠায়ে ঠায়ে বিহু সন্মিলনী পতা হৈছে। বৰ আনন্দৰ কথা। আমাৰ জীৱনটো বিশ্লেষণ কৰিলে দেখা যায় ই বেছি ভাগ দুখ দুৰ্গতিৰ করুণ

কাহিনীৰে ভৰা। আমি আজি প্ৰাণ খুলি হাঁহিব নোৱাৰোঁ। আনকি কোনোবাই হাহি ধেমালি কৰিলে আমি তাক ভাল নাপাও বৰং তাক মনে মনে থাকিবলৈ উপদেশ দিওঁ। লৰা ছোৱালীয়ে বেছি হাঁহি ধেমালি কৰিলে মাক বাপেকে বহু ঠাইত দবিয়াই হুকিয়াই নিজৰ মুখৰ নিচিনা গম্ভীৰ মুখ কৰিবলৈ কয়। ইয়াতকৈ দুঃখৰ বিষয় কি হব পাৰে!

ৰাজহাঁহে কেনেকৈ গাখীৰৰ লগত পানী মিহলাই দিলেও গাখীৰ খিনি পান কৰি পানী খিনি থই দিয়ে তেনেকুৱাকৈ সুখ-দুঃখ মিশ্ৰিত জীৱনত সুখ বস্তুটোক কৌশলে বাচি লোৱাটোক আমাৰ লক্ষ্য হোৱা উচিত।

এজন কবিয়ে আনন্দ বস্তুটোক জুইৰ লগত তুলনা কৰিছে। জুই ধৰ্ম্ম হৈছে প্ৰসাৰণ। জুই যিমান ইচ্ছা বঢ়াব পাৰে তেনেকুৱাকৈ আনন্দ উপভোগ কৰোঁতে মানুহৰ সংখ্যা যিমান বেছি হব তিমানেই আনন্দ বেছি হব। আকৌ দুঃখ বস্তুতো নদীৰ পানীৰ লগত তুলনা কৰিছে। নদীৰ পানী বেছি হলে যেনেকৈ শাখা নদীবোৰে পানীবোৰ ভগাই নি তাৰ বেগ কমাই দিয়ে তেনেকুৱাকৈ দুঃখৰ সময়ত বহু মানুহ শান্তনাৰ নিমিত্তে আহিলে দুঃখৰ বেগটো কমি যায়।

সম্মিলনীৰ সাৰ্থকতাই হৈছে এই বহুৰ একত্ৰ সমাবেশত একে ঠাইতে গোট খোৱাৰ ফলত আনন্দ বস্তুটোক আমি পূৰা মাত্ৰাই উপভোগ কৰা মানে, ব্ৰহ্মৰ সান্নিধ্য লাভ কৰা।

পৃথিবীৰ প্ৰতি দেশতেই আমোদ প্ৰমোদৰ বিশিষ্ট ব্যৱস্থা আছে। প্ৰাচীন গ্ৰীচ দেশত তেওঁলোকৰ জাতীয় উৎসৱৰ দিনত নানা ৰং ধেমালিৰ লগত শৌৰ্য্য বীৰ্য্য প্ৰদৰ্শনৰো বিশেষ বন্দোৱস্ত আছিল—। অসমৰ নানা ঠাইৰ বিহু সম্মিলনীৰ উপলক্ষে নানা প্ৰকাৰ খেল ধেমালিৰ প্ৰতিযোগিতা আৰু বটা বিতৰণৰ বন্দোৱস্ত হোৱাটো বৰ সুখৰ কথা হৈছে। আশাকৰো দিনক দিনে এই বিহু উপলক্ষে বীৰোচিত শক্তি সামৰ্থৰ প্ৰতিযোগিতাৰ ব্যৱস্থা বাঢ়ি এই অনুষ্ঠানৰ অঙ্গ পূৰ্ণ কৰা হব।

আজি গোটেই পৃথিবীত অতীতৰ কীৰ্ত্তি কাহিনীৰ লুপ্ত গৰিমাক উদ্ধাৰ কৰিবলৈ এটা আপ্ৰাণ চেষ্টা চলিছে। ঠায়ে ঠায়ে ভূগৰ্ভস্থ লুপ্ত ৰক্ত তাম্ৰ ফলি, মুদ্ৰা, পাষাণ মূৰ্ত্তি আদি আবিষ্কাৰ কৰি ইতিহাসৰ গতি পৰিবৰ্ত্তন কৰা হৈছে। অতীতৰ এই বিলাক লুপ্ত বস্তুৱে আমাৰ প্ৰাণত নতুন আশা নতুন উদ্দীপনা আনে। অকল অতীতৰ গৰিমাত গৰ্ব্বিত হোৱা উন্নতিৰ পৰিপন্থি কিন্তু ভাৱত অনুপ্ৰাণিত হৈ নতুনৰ সন্ধানত অগ্ৰসৰ হোৱা যুগুত।

অসমত এটা মিউজিয়াম (যাদুঘৰ) খোলাৰ প্ৰস্তাৱ চলিছে। মোৰ সম্পূৰ্ণ বিশ্বাস, এই প্ৰস্তাবিত মিউজিয়ামৰ উদ্দেশ্যে উদ্যোগী লোক সকল গাঁৱে গাঁৱে ফুৰি যতে যি মুদ্ৰা, পাষাণমূৰ্ত্তি, বা লুপ্ত শিল্পৰ উদ্ধাৰ কৰিব পাৰে তাক মিউজিয়ামৰ বাবে সংগ্ৰহ কৰা উচিত। বিহু গীত সংগ্ৰহ কৰক দেখিব তাৰ ভিতৰত অতীত মহিমাৰ বহু প্ৰমাণ পাব। হয়তো এনেও হব পাৰে এই চেষ্টাতে আমাৰ ইতিহাসৰ ধাৰাৰো পৰিবৰ্ত্তন হব।

সৰ্ব্বশেহত এটি কথা মনত ৰখা উচিত—শিক্ষা বিষয়ত আমাৰ দেশখন পাছ পৰি আছে। আটাইবোৰ আন্দোলনৰ লগত শিক্ষা আন্দোলনক আমি ঠাই দিব লাগিব। শিক্ষা ব্যতিৰেকে কোনো জাতিৰ টোপনি ভাঙ্গিব নোৱাৰে। পুৰুলিয়া নামক ঠাইত স্কুলৰ পৰিচালক সকলে এটা নিয়ম কৰিছে যে লৰা ছোৱালীৰ ভিতৰত যি বিলাকে অধিক সংখ্যক-মানুহৰ লেখা-পঢ়া শিকাব পাৰিব, যোগ্যতা অনুসাৰে সিহঁতক পুৰস্কাৰ দিয়া হব। আমাৰ দেশতে যদি এনে সংকল্প কৰা হয় যে প্ৰত্যেকে অন্ততঃ ১০ জন লৰা ছোৱালীক লেখা পঢ়াৰ ফালে ধাউতি কৰাই দিব তেনেহলে দেখিব অদূৰ ভবিষ্যতে দেশ কিমান আগবাঢ়ি গৈছে।*

* ১৮৫৭ শকৰ বিশ্বনাথ বিহু সম্মিলনীৰ প্ৰথম বাৰ্ষিক অধিবেশনৰ সভাপতিৰ অভিভাষণ।

পতিতা

গল্প—

—শ্ৰীযুত কালিনাথ ভূঞা

১

নৈৰ পাৰতেই ভৰা গাওঁখন। গাওঁখনৰ এমূৰতে অলপ আঁতৰি, মুকলি ঠাইৰ মাজত, দুটিমান পজাঁঘৰ বুকুত ধৰিয়েই বাৰীখন। বাৰীখনৰ গিৰিহত বয়সত চঞ্চল ডেকা, স্বভাৱত হোজা, নিৰীহ ধৰণৰ এজন মানুহ, নাম ৰাতিয়া। ঘৈনীয়েক জেতুকী আৰু জীয়েক তৰাক লৈয়েই ৰাতিয়াৰ গৃহস্থীখন। জেতুকী ডেকেৰী, তৰা লহপহকৈ উঠি অহা ছোৱালী।

ৰাতিয়াৰ আগ বয়স গ'ল গাৱঁৰে গোসাইৰ ওচৰত হালোৱা হৈ, শিৰো বিকিছিল তেওঁতেই, মুঠেই দুটি বছৰৰ আগতে আহি থিতাপি লৈছেহি এই বাৰীখনতে।

ৰাতিয়া আছিল গাওঁৰত ঘৈনীয়েক জেতুকী আছিল চহৰৰ। ঘটনাচক্ৰত দুয়োৰে মিলন হল। ঘৰখন আবৰি সামৰি থাকে জেতুকীয়ে। বতৰ বুজি পথাৰত এডৰা ধান, বাৰীত এডাল পাচলি, কৰি ফুৰে ৰাতিয়াই। দুয়োৰে বৰ মিল। মিলা-প্ৰীতিত দুয়োৰে জীৱন অতিবাহিত হলেও, সময়ত ৰাতিয়াই নিজৰ মনৰ ভাৱ জেতুকীৰ ভাৱত খাপ খুৱাব নোৱাৰে। নোৱাৰিবৰ কথাই; ভিকহুৰ ঘৰত পৰি দিন কটাব লগা হলেও, জেতুকী হল চহৰত থাকি চহৰৰ হাৱ ভাৱৰ মাজত ডাঙৰ দীঘল হোৱা ছোৱালী।

২

গাওঁত বছৰেকীয়া বৰ সবাহ। লৰা, বুঢ়া, ডেকেৰী সকলোৰে হিয়া আনন্দত উথল মাথল। ৰজাৰ ৰাজহ, গুৰুৰ কৰ, মহাজনৰ ধাৰত পেপুৱা লাগি মৰিশালী যেন হৈ থকা গাওঁখন এদিনৰ কাৰণে সঞ্জীৱিত হৈ উঠিল। সকলোৰে মুখে মুখে সবাহৰ কথা, সকলোৱেই ব্যস্ত। বুঢ়াসকলে গাঁৱৰ মূল গোসাইৰ ওচৰত গৈ বা-বৰঙ্গনি, কৰ-কাটলৰ বিধান বিহিছে। ডেকাহত ৰভা-পৰলি সজোৱা, ভাৱনাৰ সাজ সৰঞ্জামৰ দিহা কৰাত লৰি ধাপৰি ফুৰিছে। সৰু সৰু লৰা ছোৱালীয়ে হাঁহি কিৰিলিয়াই ইফাল সিফাল কৰিছে। জীয়াৰী-বোৱাৰীহঁত মিলি জুমে জুমে নৈলৈ গৈ কাপোৰ ধুইছে। গাওঁৰ এনে এটি আনন্দ উৎসৱৰ দিনত নিৰানন্দ কেৱল ৰাতিয়াৰ ঘৰখন। লোকৰ হাঁহি ধেমালি, লাহ বিলাহ দেখি, লৰমাৰি আহি ৰাতিয়াৰ আঠবছৰীয়া জীয়েক তৰাই মাকক কলেহি, "আমিও সবাহলৈ যাম নহয়নে?" প্ৰাণত অনুভৱ কৰা এটি বেদনা জেতুকীৰ মুখত প্ৰতিফলিত হল "ওঁ" বুলি জীয়েকৰ কথাষাৰ শলাগি জেতুকী ভিতৰ সোমাল। আনন্দত অধীৰ হৈ তৰা আলিবাট পালেগৈ বাপেক ৰাতিয়াক আগ বঢ়াই আনিবলৈ।

৩

দুপৰীয়া নামঘৰত মহা সমাৰোহে নাম কীৰ্ত্তন। সত্ৰাধিকাৰে নামঘৰৰ ভোগৰ খুটা অধিকাৰ কৰি সভা শুৱাই আসন লৈছে, ভকতসকলে মাটিতে লেপেটা কাঢ়ি বহি নাম ধৰিছে। ৰাতিয়ায়ো গা ধুই নামঘৰত মূৰ দোঁৱাই আহোঁগৈ বুলি ওলাল। কিন্তু ৰাতিয়াৰ ভাৱ গহীন, মন উদাস। কাৰণ সেই সমাজত তাৰ ঠাই নাই, কোনেও তাক খবৰকে নকৰে, সি যে মানুহৰ লগত গণ্য নহয়। কেতিয়াবা কৰবাত অকলশৰে আছুতীয়াকৈ বহিলেও, ৰঙা চুৰিয়া পিন্ধি, কপালত মৃত্তিকাৰ ফোঁট লৈ, কলেৱৰ শুধকৰা কেৱলীয়া ভকতৰ অৱজ্ঞা আৰু তাচ্ছিল্যৰ চাৱনিত, তাৰ হিয়া ভাগি যেন চুৰমাৰ হব খোজে। সি নীহ। উচ্চৰ ওচৰ চাপিবলৈ আশা কৰাটো তাৰ ভুল, তাৰ দুৰাকাঙ্খা। সি চিৰকাল উচ্চৰ অত্যাচাৰ, উৎপীড়ন, অৱহেলা সহ্য

কৰিবলৈকেই তাৰ জন্ম। কিয়? এজন স্ৰষ্টাৰ দ্বাৰাই স্ৰজিত হলেও, আকৃতিত একে হলেও, শৰণীয়া ৰীতি-নীতি মানি চলিলেও, সৎ আৰু উদাৰ অন্তৰ হলেও সি যে নীহজাতি। সমাজৰ এচুকত ঠাই দিয়া দূৰৰ কথা তাক ছুলেও যে গা ধুব লাগে। জীয়েকক লগত লৈ ৰাতিয়া নামঘৰ পালেগৈ। আঁতৰৰ পৰাই নামঘৰলৈ সেৱা জনাই বাহিৰতে বহি ৰল। ভাদ মাহৰ চোকা ৰদ আৰু ধাৰাষাৰ বৰষুণত বেলাটো কটাই, গধূলি পৰত জৰীয়া জীয়েকক বুকুট বান্ধি, ৰাতিয়া ঘৰলৈ উলটিল।

৩

এদিন জেতুকীয়ে ৰাতিয়াক কলে,

"তৰাক পঢ়িবলৈ পঠাওঁ।" ৰাতিয়া জেতুকীৰ কথাত আচৰিত হল, কলে, "হেৰ, কৱ কি? কলৈ?"

"চহৰলৈ।"

"কিনো কৱ। তোৰ জীয়েৰক কোনে খুৱাব, কোনে চাব?" "মিশ্যন স্কুলত। তাত বহুত ছোৱালীয়ে পঢ়ে। দুখীয়া মানুহৰ ছোৱালীৰ কোনো খৰচ নালাগে। মেমচাহাব বৰ মৰমীয়াল মানুহ। তাত ইয়াৰ নিচিনা চেই চেই, লেই লেই নাই।"

"হেৰ ভাল কথা কৈছ। ধৰম কৰম সোপাকে নাশিব খুজিছনেকি?" ৰাতিয়াৰ মুখত ধৰমৰ কথা শুনি জেতুকী টি-টিহাই উঠিল, কলে, "থোৱা তোমাৰ ধৰমখন। তোমাৰনো ধৰম কি?"

"ৰাইজৰ যি ধৰম, মোৰো সেয়েই।"

'কেনেকৈ?"

"তেনেকৈ!"

"তেনেকৈয়ে কেনেকৈ? তুমি বৰ অকৰা মানুহ। সেই দেখিহে তোমাৰ এই গতি। ৰাইজৰ ধৰমেই যদি তোমাৰ ধৰম, তেনেহলে ৰাইজৰ চকুত তুমিনো কুকুৰ মেকুৰীৰ নিচিনা কিয়? তুমিহে ভাৱিছা তোমাৰ একে ধৰম, তোমাৰ ৰাইজেতো ভৱা নাই। কাৰো ওচৰ চাপিব নোৱাৰা। কাৰো ঘৰলৈ যাব নোৱাৰা। গাত গা লাগিলেই তোমাৰ একে ধৰমৰ ৰাইজে গা তিয়াব লাগে কিয়?" জেতুকীৰ কথাত ৰাতিয়াৰ মাত হৰিল। লাহেকৈ কলে,

"এৰা হওঁতে হয়, ঠিকেই কৈছ।"

"মই আৰু তোমাৰ নিচিনা অজলাৰ কথাত কাণ নিদিওঁ। মোৰ ছোৱালীয়ে সময় থাকোতেই দুটা লিখা পঢ়া শিকক। পাছে পৰে কপালত যি আছে, সেয়ে হব। এই মোৰ গোলাপৰ কলি হেন ছোৱালীটি ইয়াত লোকৰ চকুৰ কুটা, দাঁতৰ হুল হৈ মৰিব নালাগে। ময়ে লৈ যাম। তোমাক একো লেঠাই নাপায়।"

৫

কেবা বছৰৰো পিছত—এদিন আবেলি বেলিকা, আজৰি পৰত স্কুলৰ কেবাজনীও ছোৱালী একে ঠাইতে থুপ পাতি নানা কথাৰ মহলা মাৰিছে। তৰা আঁতৰত বহি নীৰৱে সকলো শুনি আছে। তৰাৰ ভাৱ-গতি, কথা-বতৰা আন আন ছোৱালীৰ লগত মিল নোহোৱাৰ কাৰণেই প্ৰায় অকলশৰেই দিন কটায়। আজিও সেইদৰে আঁতৰত অকলেই বহি আছে। ধেমালিৰ চলতে লগৰীয়া এজনী ছোৱালীয়ে তৰাৰ ফালে চাই কলে "তোমাৰ নো সদায় কি হয়হে? সদায়নো নিমাতী হৈ মন মাৰি থাকা কিয়? এষাৰ মাতো মাতিব নাপায়নে?"

তৰাই লাহেকৈ কলে "যমে নাজানে একেটি পো, কমাৰে নিচিনে দুখীয়াৰ লো। মইহে বুজিছোঁ মোৰ অন্তৰৰ কথা, তোমালোকে কেনেকৈ বুজিবা দেও।"

আন এজনীয়ে কলে "কিনো ভাৱিছা বুজিছোঁ দিয়া। আমিও অবুজন নহয়। 'মোৰ যৌৱন বুথাই যায়' নহয়নে বাৰু?" আটাইখনৰ মাজত হাঁহিৰ ৰোল উঠিল। অলপ পৰ ৰৈ তৰাই কলে, "এৰা দিয়া, তোমালোকে নিজৰ ভাৱকে সদায় লোকৰ হিয়াত দেখি ফুৰা। শিক্ষাৰ উদ্দেশ্য নিজৰ চৰিত্ৰক প্ৰস্ফুটিত কৰি তোলা, অন্তৰ প্ৰশান্ত কৰা, ভাল বেয়াৰ পথ চিনিবৰ শকতি অৰ্জ্জন কৰা। মুঠতে প্ৰকৃত মানৱ হবলৈ যত্ন কৰাই হৈছে প্ৰকৃত শিক্ষা। চৰাই পুহি মাত শিকালে মানুহৰ নিচিনাকৈ কথা কয়, সেই বুলিয়েই কোনোবাই চৰাইক

মানুহ বোলেনে? সেই দৰে প্ৰকৃত শিক্ষাৰ মৰ্ম্ম নুবুজি দুটা লিখা পঢ়া শিকিলেই আমি শিক্ষিতা বুলি দাবী কৰিব পাৰিমনে? বৰঞ্চ আধাডোখৰীয়া ভাষাজ্ঞানে আমাক কিছুমান কথাত ভাষা জ্ঞানহীন মানুহতকৈয়ো তললৈ নিছে। ভাৱি চোৱাছোন এতিয়াই তোমালোকে তোমালোকৰ বৈবাহিক জীৱনৰ কথা ভাৱি, আলোচনা কৰি, মন কলুষিত কৰিছা। জীৱনত তাতকৈ যে কিবা বেছি ভাৱিবৰ বা কৰিবৰ কোনো কাম আছে তাক মনলৈ আনিবলৈ পৰা নাই। সেই বুলিয়েই নাভাৱিবা যে মই বৈবাহিক জীৱনক ঘৃণা কৰিছোঁ। অন্তৰ পবিত্ৰ, ভাৱ ওখ, সৎ আদৰ্শ হলেহে বৈবাহিক জীৱনো সুখকৰ হয়। বৈবাহিক জীৱন অতি সাৰুৱা কৰি তোলাৰ উপৰিও আমি আমাৰ সমাজত কৰিব পৰা অনেক কথা হাতৰ মুঠিত আছে।" "সংসাৰত কি কাম কৰিবলৈ ভাৱি মূৰ ঘমাইছাহে?"

"কি কাম! সংসাৰত চকু মেলি ফুৰিবলৈ যত্ন কৰাছোন। কত শত আমাৰ নিচিনা ছোৱালীৰ আজি অৱস্থা কি? নাই শিক্ষা, নাই সৎ আদৰ্শ—একো নাই। চেতনাহীন ভেলটোক ধৰ্ম্মবুলি খামোচ মাৰি সমাজে আজি কত অত্যাচাৰ, কত উৎপীড়ণ, তোমাৰে নিচিনা সুখ-সম্ভোগৰ লালসা থকা শত শত বাল বিধৱাক কৰিব লাগিছে, খবৰ ৰাখিছানে? কতৰ জীৱনত কি লাঞ্ছনা, কি অপমান, কি দুৰ্গতি হৈছে, জানিছানে? ধৰ্ম্মৰ নামত মানৱে মানৱৰ ওপৰত কৰা ঘৃণনীয় বিভীষিকা তোমাৰ অন্তৰ স্পৰ্শ কৰিছেনে?"

"সেইবিলাক সমাজৰ দোষ-গুণ বাচিবৰ কাম আমাৰ নহয়, পুৰুষৰহে।"

"অকল পুৰুষৰেই নহয়, তোমাৰো। বৰঞ্চ তোমাৰ দায়িত্ব পুৰুষতকৈ অনেক বেচি। এসময়ত তুমিয়েই কত পুৰুষৰ জন্মদাত্ৰী হবা ভাৱিছানে? সেইবিলাক পুৰুষ ভাল-বেয়া হোৱাৰ কাৰণো যে তুমিয়েই। তাৰ উপৰিও পুৰুষে বুজা নাই, তুমি বুজিছা, তুমি আগবাঢ়া। দেখিবা তোমাৰ উদাহৰণে শত শত পুৰুষক প্ৰেৰণা দিব। জয়মতীয়ে ৰাজ্যৰ ভবিষ্যৎ ছবি নিজৰ অন্তৰত বুজি যদি প্ৰাণ উছৰ্গা নকৰিলেহেঁতেন, তেনেহলে অসমৰ স্বাধীনতা কেতিয়াবাই লোপ পালেহেঁতেন।"

"থোৱা তোমাৰ বকলাখন।" বুলি কৈ এজনী ছোৱালী ঘপহ কৰে উঠি আটাইখনকে লৈ ওলাই গল।

৬

স্কুলৰ শিক্ষা শেষ হল। গাৱঁতে নতুনকৈ প্ৰতিষ্ঠিত হোৱা বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী হৈ তৰা ঘৰলৈ উলটিল। ৰাতিয়া আৰু জেতুকীৰ হিয়া অপাৰ আনন্দত নাচি উঠিল। ৰাইজৰ অসহ্য হল। অধিকাৰ প্ৰভুকে গুৰি কৰি গাৱঁত বিয়নি মেল বহিল। কেইমাহ মানৰ পিছত ৰাইজৰ অনেক চল-চক্ৰান্তত তৰা বিদ্যালয়ৰ পৰা আঁতৰিবলৈ বাধ্য হল।

৭

এদিন দুপৰীয়া, অতিপাত ৰ'দ। আলি-পদূলিত মানুহৰ সমাগম অতি কম। তৰা ঘৰলৈ উলটিছে। হঠাতে আলিৰ দাঁতিত, এজোপা গছৰ তলত, যি দৃশ্য তৰাৰ চকুত পৰিল, সেই দৃশ্যত তাইৰ শৰীৰ শিয়ঁৰি উঠিল। অতি দুৰ্ব্বল ক্ষীণ শৰীৰৰ এজনী গাভৰু। অচেতন অৱস্থাত পৰি আছে। ওচৰতে এটি কেছুৱা, মাটিত বাগৰি চট্‌ফট্ কৰি চিঞঁৰি লালকাল হৈছে। তৰা লৰালৰি কৰি গৈ কেছুৱাটো কোলাত তুলি লৈ মানুহজনীৰ গাত হাত দি দেখে, তাইৰ বৰ জৰ। মূৰটো জুই যেন তপত, মুখখন ৰঙা হৈ উঠিছে। লৰালৰিকৈ আলিৰ দাঁতিৰ খাল এটাৰ পৰা পানী আনি তৰাই গাভৰুৰ মূৰত দি বিচিবলৈ ধৰিলে। আবেলি হল, বেলি লাহ দিলে, গাভৰুৰ জৰে শাম কাটিলে, গাভৰুৰ সংজ্ঞা আহিল। তৰাই গাভৰুক উঠাই লাহে লাহে ঘৰলৈ লৈ আহিল। কিছুদিনৰ মূৰত তৰাৰ নেৰানেপেৰা যত্ন শুশ্ৰূষাত গাভৰু সুস্থ হল।

এদিন তৰাই গাভৰুৰ আঁতি-গুৰি সুধিলে। এটি নিশ্বাস পেলাই গাভৰুৱে আৰম্ভ কৰিলে;—

"জীৱনৰ কথা কাকো নকম বুলিয়েই সঙ্কল্প কৰিছিলোঁ; কিন্তু নোৱাৰিলোঁ। আপুনি মোৰ প্ৰাণ-দাত্ৰী, মাতৃ-

স্বৰূপিনী, গতিকে আপোনাৰ কথা উপেক্ষা কৰিবলৈ মোৰ শকতি নাই। আপোনাক সেৱা কৰি কওঁ, যাতে মোৰ ঘৃণীত জীৱনৰ কাহিনী শুনি মোক অৱজ্ঞা নকৰে। সমাজ, সংসাৰ, পিতৃ, মাতৃৰ চকুত আজি মই বিষ-সদৃশ। মই কলঙ্কিনী। অ-হ-হ!" দুধাৰি চকুলো বোৱাই, অলপ টলকামাৰি, ধীৰে আকৌ গাভৰুৱে আৰম্ভ কৰিলে—

"মই ব্ৰাহ্মণ কন্যা। শুনিছিলোঁ সৰুতে মোৰ বিবাহ হৈছিল এটা বুঢ়া ব্ৰাহ্মণৰ লগত। অৱস্থাহীন পিতা-মাতাই সমাজত নিজৰ জাত ৰাখিবলৈ গৈ, অৰ্থৰ লালসাত পৰি, মোৰ জীৱন বলি দিলে বৃদ্ধ ব্ৰাহ্মণৰ আগত, মোৰ হিতাহিত জ্ঞান শূন্য বয়সত। এই সংসাৰৰ আও-ভাও বুজাৰ আগতেই বুঢ়া ব্ৰাহ্মণে মোক নেওচা দিলে। মই বিধৱা হৈ সংসাৰৰ সকলো সুখ-ভোগৰ পৰা বঞ্চিত হলোঁ। ভৰপূৰ যৌৱনত, মন চম্ভালিব নোৱাৰি, চহৰত থাকি লিখা পঢ়া শিক্ষা কৰা এজন ডেকা গোঁসাইৰ প্ৰতাৰণাত মোৰ ভৰি পিছলিল। পৰিণাম এই সন্তানটি। মোৰ সকলো আবেদন সমাজৰ আগত অথলে গল। গাৱঁৰ বাহিৰ হৈ আহিবৰ আদেশ হল। প্ৰতাৰণাকাৰী ডেকাৰ একো নহল। সমাজৰ পথ-প্ৰদৰ্শক ডেকা গোঁসাই পবিত্ৰ হৈয়ে ৰল। বিবেচনাহীন সমাজক নেওচি, দায়িত্ব জ্ঞানহীন পিতা-মাতাক ত্যাগ কৰি, মৃত্যুক সাবটি লবলৈ আগবাঢ়ি আহি, আকৌ পৰিলোঁহি আপোনাৰ হাতত। হাঁয়! এই জীৱন!" গাভৰু নীৰৱ হল।

তৰাই গাভৰুক শান্ত্বনা দি কলে, "নাকান্দিবা। কান্দি লাভ নাই। আজি চেতনাহীন সমাজ। তোমাৰ চকুৰ লোৱে সমাজৰ প্ৰাণত আঘাত দিব নোৱাৰে। সমাজ অচল-অটল। সমাজে গঢ়ি লব পৰা ৰীতি-নীতিকে ধৰি বিধৱাই সমাজে বিহা কঠোৰ যন্ত্ৰণা সহ্য কৰিব লাগিব; কিন্তু বিধৱাক হলে বৈধব্য ব্ৰতত ৰাখিবলৈ কি শিক্ষা কি নিয়ম, কেনে ঠাইত ৰাখিব লাগিব, তাৰ দিহা কৰিবলৈ সমাজৰ চকু নাই। জ্ঞানহীন পিতা-মাতাই একোকে নাভাৱি কোমলমতি বিধৱাক ৰাখিব সংসাৰৰ সকলো প্ৰলোভনৰ মাজত, দাম্পত্য-প্ৰেমৰ স্থান গৃহস্থীত। কোমলমতি বিধৱা এনে প্ৰলোভনৰ মাজত থাকি, প্ৰকৃত ব্যৱস্থাৰ অভাৱত ভৰি পিছলিলেই হল পতিতা। যদি সমাজে বিধৱাক বৈধব্যব্ৰত ৰক্ষা কৰি থাকিবলৈ যুগুত ব্যৱস্থা কৰিব নোৱাৰে, তেনেহলে বিবাহৰ প্ৰচলন হওক; নহয় বিধৱাক সৎশিক্ষা, সৎসঙ্গত, সংসাৰৰ প্ৰলোভনৰ আঁতৰত ৰাখি, প্ৰকৃত কাৰ্য্যকৰী ব্যৱস্থাৰ দিহা কৰক। সমাজ এতিয়া অন্ধ, প্ৰাণহীন। তোমাৰ নিচিনা শত শত বিধৱাৰ শোকাবহ দৃশ্যয়ো সমাজক অলপো টলাব পৰা নাই। সনাতন হিন্দু ধৰ্ম্মৰ ওপৰত এলান্ধুৰ চামনি পৰিল। ভনী, তুমি তোমাৰ কৰ্ম্মদোষত, মই মোৰ জন্মদোষত, দুয়ো এতিয়া আমি পতিতা। তোমাৰ মোৰ ভিতৰত ভিন্-পৰ নাভাৱিবা। মন স্থিৰ কৰা, বিপদত আত্মহাৰা নহবলৈ শিক্ষা কৰা, বিপক্ষৰ আকাৰ ঈঙ্গিতক উৰাই দি নিজৰ কৰ্ত্তব্যত আগবাঢ়িবলৈ বুকুত সাহ বান্ধা, প্ৰাণৰ মমতা এৰি তোমাৰে নিচিনা নিঃসহায়া সৰলা বিধৱাক ৰক্ষা কৰিবলৈ, নীহ-উচ্চ ভেদাভেদ নাৰাখি মানৱক সেৱা কৰিবলৈ ওলোৱা। আহাঁ, আমি দুয়ো আমাৰ অনাথ আশ্ৰমত মৰিযুঁজি লাগোঁ। তেতিয়া কি জানি আমাৰ জীৱনত শান্তি পাওঁয়েই।"

৮

জীয়েক তৰাৰ কথা-বতৰাই ৰাতিয়াৰ ভাৱ-গতিৰ অনেক লৰচৰ কৰিছে। এতিয়া ৰাতিয়াই নিজে নিজে বুজিব পাৰিছে যে জগতত পৰমেশ্বৰে শ্ৰজন কৰা মানুহৰ লগৰে সিও এটা মানুহ; তাৰ জীৱনৰো মূল্য আছে। গতিকে ৰাতিয়াই আগৰ দৰে ফুৰিবলৈ ইচ্ছা নকৰে। ৰাতিয়াৰ ভাৱ-গতিৰ পৰিবৰ্ত্তনত আৰু জীয়েক তৰাৰ কাৰ্য্যকলাপত, অধিকাৰ প্ৰভুৰ পৰা ঘিণলগা পাচ-নিলৈকে সকলোৰে আক্ৰোশ উপজিল। এদিন দুপৰীয়া প্ৰসঙ্গৰ সময়ত ৰাতিয়া নামঘৰৰ মুখতে বহি আছে। গেন্ধেলা বায়নে পথাৰৰ পৰা আহি, লৰালৰিকৈ গাত পানী এটোপা পেলায়েই, ৰঙা চুৰিয়াখন পিন্ধি, ততাতৈয়াকৈ নামঘৰলৈ যাওঁতেই ৰাতিয়াৰ গাত উজুটি মাৰিলে। গেন্ধেলা বায়নৰ পৱিত্ৰ দেহত ৰাতিয়াৰ স্পৰ্শ মাত্ৰেই চুৱা-চুম্বকে বায়নৰ শৰীৰ ভেদ কৰি অধীৰ কৰিলে। ৰাতিয়াক এটি চৰ শোধাই, বায়নৰ মুখে যত পাৰে দৈনন্দিন

প্ৰচলিত শব্দ সমূহ বাহিৰ কৰিবলৈ ধৰিলে। এই চেলুকে লৈ নামঘৰৰ পৰাও দুজনমান ওলাই আহি অকলশৰীয়া ৰাতিয়াৰ গাত হাত লগাই বীৰত্ব প্ৰকাশ কৰিলে। ৰাতিয়া অচেতন হৈ মাটিত পৰিল। তৰাই খবৰ পাই, উধাতু খাই আহি, পিতাকক তুলি ঘৰলৈ লৈ গল।

৯

চ'ত মাহ। দুপৰ নৌ হয়। অধিকাৰ প্ৰভুৰ ঘৰত জুই লাগিল। চাৰিউফালে চিঞঁৰ-বাখৰ, হুৱা-দুৱা লাগি পৰিল। নিমিষতে গোটেই গাঁও পুৰি ভস্মত পৰিণত হল। মানুহৰ বিলাই-বিপত্তিৰ সীমা নোহোৱা হল। তৰাই নিজৰ অনাথ আশ্ৰমত অতি আশ্ৰয়হীন-বিলাকক আশ্ৰয় দি আশ্ৰমবাসীবিলাকক পৰিচৰ্য্যাৰ যুগুত ব্যৱস্থা কৰিবলৈ কৈ, নিজে সাহায্য ভিক্ষাৰ বাবে গাওঁৰ বাহিৰ ওলাল।

ৰেডিয়াম

—শ্ৰীযুত কৃষ্ণদত্ত হাজৰিকা

ৰেডিয়াম পৃথিবীৰ এটি আপুৰুগীয়া বস্তু। বৰ্ত্তমান জগতত ইয়াৰ নিচিনা অমূল্য বস্তু নাই বুলি কলেও বঢ়াই কোৱা নহয়। ৰেডিয়ামৰ দাম সোণৰ তুলনাত বহু গুণে বেছি। বিশেষজ্ঞ আৰু বৈজ্ঞানিক সকলেহে ৰেডিয়াম সম্বন্ধে ভাল দৰে জানে। গবেষণাকাৰী আৰু বৈজ্ঞানিক সকলে ৰেডিয়ম সম্বন্ধে পৰীক্ষাগাৰত অসীম শক্তি অপৰিমেয় সহিষ্ণুতাৰে গবেষণা কৰিব লাগিছে। আজি পৰ্য্যন্ত পৃথিবীত মৃত্তিকাস্তূপৰ পৰা ২৬ আউঞ্চ ৰেডিয়াম মাথোন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। বৰ্ত্তমান এক আউঞ্চ ৰেডিয়ামৰ দাম ৩৩৬০৪০ পাউণ্ড হলেও এই মূল্যৰ বিনিময়ত কিনিবলৈ পোৱা নাযায়। কাৰণ পৃথিবীৰ আমদানী হোৱা আটাইখিনি ৰেডিয়াম ডাঙৰ ২ চহৰৰ চিকিৎসালয় আৰু গবেষণাকাৰী সকলৰ পৰীক্ষাগাৰত আছে। যদিও অস্ত্ৰোপচাৰ, ৰঞ্জনৰশ্মি আৰু নব আবিষ্কৃত হাইভ'ল্ট বিদ্যুৎ ৰশ্মি সততে কেনচাৰ ৰোগ আৰোগ্যৰ কাৰণে ব্যৱহাৰ কৰা হয় তথাপি কেনচাৰ ৰোগক বশবৰ্ত্তী কৰিব পৰা ক্ষমতা একমাত্ৰ ৰেডিয়ামৰেই হে। আজি পৃথিবীত কেনচাৰ ৰোগত প্ৰপীড়িত শ শ মানুহে ৰেডিয়ামৰ চিকিৎসাৰ অভাৱত হাহাকাৰ কৰি ফুৰিছে, গ্ৰেট বৃটেনৰ নিচিনা এখন ভুবন বিজয়ী সমৃদ্ধিশালী দেশতো মাথোন এক আউঞ্চ ৰেডিয়াম আছে।

অনুসন্ধানকাৰী আৰু অভিযানকাৰী সকলে পিট্‌চ ব্লেণ্ডি (Pitch Blende) কাৰণ' লাইট (Carnolite) আৰু আন আন ৰেডিয়াম জন্ম হোৱা মাটিৰ স্তূপৰ বিষয়ে অনুসন্ধান কৰি কুমেৰুৰ পৰা সুমেৰুলৈকে পাত পাত কৰিব লাগিছে।

ৰেডিয়াম যেনেকৈ কেনচাৰ ব্যাধিৰ মহৌষধ তেনেকৈ ই মানুহৰ পৰম শত্ৰু। ৰেডিয়ামৰ এটি পৰমাণু বা অণু যদি কেনেবাকৈ সুস্থ মানুহৰ শৰীৰৰ ভিতৰলৈ ছাল, নাক, কিম্বা ডিঙ্গিয়েদি সোমায় তেন্তে এই পৃথিবীৰ কোনো চিকিৎসকে তাৰ প্ৰতিকাৰ কৰিব নোৱাৰে। ইয়াৰ বিষাক্ত ৰশ্মি মৃত্যুৰ ২৫০০ বছৰ পিছলৈকো প্ৰৱাহিত

হৈ থাকে। এক আউন্স বেডিয়ামৰ ৩৯৩৪৯৯৯ ভাগ শৰীৰৰ ভিতৰলৈ সোমালেই তৎক্ষণাত মৃত্যুৰ মুখত পতিত হয়। ইয়াৰ ইমান শক্তি। চকুৰে কোনো বস্তু মনিব পৰা ব্যক্তি চাহিতকৈ সৰু এটি বেডিয়াম কণা ৬ বা ৭ সীহৰ পাত্ৰত ঢাকোন মাৰি বন্ধ কৰি আন এটি সীহৰ ডাঠ পাত্ৰত সুমুৱাই ৰাখিলেহে নিৰাপদ ভাবে বহা হয়। চিকিৎসক সকলে হাতত আৱৰণেৰে সীহৰ চেপোনাৰ সহায়েৰে সীহৰ ডাঠ পৰ্দাৰ পাছৰ পৰা বেডিয়াম স্পৰ্শ কৰে যাতে নাক, মুখ বা চকু এই পৰম বিষাক্ত বেডিয়ামে কোনো ৰকমে আক্ৰমণ কৰিব নোৱাৰে। চিকিৎসালয়ত দুটি বা এটি বেডিয়মৰ কণা এটা ফোপোলা দীঘল প্লেটনাৰ চুঙাত ভৰাই, সেই চুঙাটো কেনচাৰ হোৱা ঠাইত বহা হয়। বেডিয়াম বস্নি প্লেটনাম ভেদ কৰি (malignant tissue) বিষাক্ত শৰীৰৰ ওপৰত কাৰ্য্য কৰে। কিন্তু আজি কালি অভিনব ধৰণেৰে এই ব্যাধি উপশম কৰাৰ উপায় আবিষ্কৃত হৈছে। এই বিশিষ্ট ৰোগ নিৰাৰণ কৰাৰ বিষয়কে "Radio Theorphy" বোলা হয়। ফ্ৰান্সৰ লোক সকলে 'Radio Theorphy' ৰখুলি ইয়াৰ আবিষ্কাৰক মেডেম কুৰীৰ নামানুসাৰে "Curio Theorphy" বোলে। এই সংক্ৰামক ব্যাধি আৰোগ্যৰ যি গুণ এই ধাতুৰ পদাৰ্থত আছে তাৰ তুলনাত ইয়াৰ নাম অতি সামান্য।

বেডিয়ামৰ কথা উন্মেষ কৰিলেই বেডিয়াম আবিষ্কাৰৰ যাই নেজী মহিলা বৈজ্ঞানিক মেডেম কুৰীৰ জীৱনীৰ বিষয়ে চমুকৈ আলোচনা নকৰিলে অতি অন্যায় কৰা হব লগে লগে বেডিয়ামৰো বচনা অসম্পূৰ্ণ হব। মেডেম কুৰী পোলেণ্ডৰঅধিবাসিনী। তেওঁৰ পিতাক পোলেণ্ডৰ ৰাজধানী ওৱাৰ্চো চহৰৰ কোনো এটা বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান আৰু গণিত শাস্ত্ৰৰ অধ্যাপক আছিল। কুৰীয়ে এই বিদ্যালয়ত প্ৰাথমিক শিক্ষা শেষ কৰি গণিত আৰু পদাৰ্থ বিজ্ঞান চৰ্চ্চা কৰিবলৈ ইচ্ছুক হল। কুৰীৰ বাল্যাৱস্থাৰ পৰাই বৈজ্ঞানিক বিষয়ত আকৰ্ষণ দেখা গৈছিল। কুৰীইতৰ অৱস্থা ৰব ভাল নাছিল। সেই কাৰণে পোলেণ্ডৰ কোনো কোনো ঘৰত শিক্ষয়িত্ৰীৰ (governess) হৈ কিছু অৰ্থ উপাৰ্জ্জন কৰিব লগীয়া হৈছিল। তেতিয়াৰ পৰাই তেওঁ স্বাধীন ভাবে চিন্তা কৰিব আৰু নানা বিষয়ে কিতাপ আদি পঢ়িবলৈ ভাল পাইছিল। ১৮৯১ চনত পোলেণ্ড ৰাষ্ট্ৰীয় বিপ্লৱ সূত্ৰে নিজৰ দেশ এৰি প্যাৰী (Paris) চহৰলৈ গল। প্যাৰী চহৰত এটি জীৰ্ণ পঙ্খা ঘৰত থাকি কোনো এখন দোকানৰ বটল ধোৱা কাৰ্য্য কৰি দিনে ৫ পেঃ অৰ্জ্জন কৰি অতি কষ্টে কাল যাপন কৰিব লগাত পৰিছিল। এই মানসিক আৰু শাৰীৰিক কষ্টলৈ আওকাণ কৰি অধ্যয়ন কাৰ্য্যতে দেহে কেহে লাগি গল। কুৰীয়ে চাৰি বছৰ কঠোৰ পৰিশ্ৰম কৰিছিল আৰু তাৰ ফলত তেওঁ পদাৰ্থ বিজ্ঞানত প্ৰথম আৰু গণিত শাস্ত্ৰত দ্বিতীয় স্থান অধিকাৰ কৰিলে। ১৮৯৪ চনত কুৰীয়ে স্বাধীন ভাবে গবেষণা আৰম্ভ কৰিলে আৰু সাধনাৰ সন্ধান পালে। ঠিক এই সময়তে প্যাৰী চহৰৰ ".Ecole de physique etde chemic" ত পেৰী কুৰী (Peirri-Curia) পদাৰ্থ বিজ্ঞান সম্বন্ধে গবেষণাৰ বিশেষ সুখ্যাতি লাভ কৰিছিল। গবেষণাৰ বিষয় আছিল (Pieze Electricity) বিভিন্ন অৱস্থাত বস্তু বিশেষৰ চুম্বক শক্তি। মেডেম কুৰী তেতিয়া গবেষণা সম্পৰ্কে তাত প্ৰবেশ কৰিলে। একে কামতে আৰু একে বিষয়তে আলোচনাত আকৃষ্ট হৈ কুৰীৰ লগত পেৰীৰ বিবাহ হয়। কুৰি দম্পতিৰ কাৰ্য্যদক্ষতা আৰু নিপুণতাত সন্তুষ্ট হৈ অধ্যাপক হেনৰী বেক্কেৰেলে তেওঁৰ সহকাৰী হিচাবে তেওঁৰ পদাৰ্থবিদ্যাগত কাৰ্য্য কৰিবলৈ নিযুক্ত কৰিলে। অধ্যাপক ৰঞ্জন (Rontgen) আবিষ্কৃত ৰঞ্জন ৰশ্মিৰ (X Ray) অভিনব পৰীক্ষাত তেতিয়া সকলো বিলাক বৈজ্ঞানিক ব্যস্ত। অধ্যাপক বেক্কেৰেলে এটি নতুন ধৰণৰ পৰীক্ষা আৰম্ভ কৰিলে। কিছুমান উপাদান আছে যিবিলাক ৰঁদত থকাৰ পিছতে কিছু সময়ৰ কাৰণে পোহৰ বিকীৰ্ণ কৰিব পাৰে। যিবিলাক সামগ্ৰীয়ে আন্ধাৰত পোহৰ দিয়ে তাৰ লগত ৰঞ্জন ৰশ্মিৰ কোনো সম্বন্ধ আছেনে নাই এই বিষয়ে বেক্কেৰেলে পৰীক্ষা কৰিবলৈ প্ৰস্তুত হ'ল। বেক্কেৰেলে পিচ ব্লেণ্ডৰ (Pitchblende) মৃত্তিকা স্তূপ লৈ কিছুদিন পৰীক্ষা

চলোৱাৰ ফলত এটি ইউৰেনিয়াম (uranium) নামে নতুন উপাদান আৱিষ্কাৰ কৰিলে তাকে বেক্কেৰেল অলন ঐল পদাৰ্থ বুলি ঘোষণা কৰিলে। দুৰবীক্ষণেৰে চোৱাত এই নব আৱিষ্কৃত পদাৰ্থক এটি উজ্জ্বল ক্ৰস দেখা পালে। দিনে ৰাতিয়ে এই জ্যোতিৰ বিৰাম নাই। কিন্তু মেৰী কুৰীয়ে ইউৰেনিয়াম্বৰ লগত আন আন পদাৰ্থ থকাৰ সন্দেহ কৰিব ধৰিলে। ইউৰেনিয়ামৰ এই জ্যোতিৰ কাৰণ কি কুৰীয়ে তাৰেই অনুসন্ধানত প্ৰবৃত্ত হল। বেক্কেৰেলৰ এই আৱিষ্কাৰে কুৰী দম্পতিৰ মনত প্ৰেৰণা দিলে। কুৰী ইতে অতি সামান্য অৰ্থ আৰু পুৰণা পৰিত্যক্ত ৰন্ধনি লৈ স্বাধীন ভাবে তেওঁলোকৰ গবেষণা আৰম্ভ কৰিলে। তেওঁলোকে ধনৰ অনাটনত পিচ ব্লেণ্ডি কিনিব নোৱাৰি শেহত ধনকুবেৰ বেৰন ৰথচ চাইল্ড (Baron Roths child) লৈ অৰ্থৰ সহায় খুজি আবেদন কৰাত তেওঁ একটন পিচ ব্লেণ্ডি কুহিষ্টলৈ Joachimstal খনিৰ পৰা পঠাই দিলে। তেওঁলোকে এই পিচ ব্লেণ্ডি (pitch blende) ৰে ভৰাছৰ কঠোৰ পৰিশ্ৰম কৰি এটি নতুন বস্তু পৃথক কৰিলে। এই বস্তুট ইউৰেনিয়াম্বৰ (uranium) তুলনাত লক্ষগুণে শক্তিশালী। ১৮৯৮ চনৰ জুলাই মাহত কুৰী ইতে তেওঁলোকৰ গবেষণা প্ৰকাশ কৰিলে আৰু এই নবাৱিষ্কৃত উপাদানটোৰ নাম ৰাখিলে পোলেনিয়াম (polanium) কাৰণ মেডেম কুৰীৰ দেশৰ নাম আছিল পোলেণ্ড। ইয়াৰ লগতে এই একে বছৰতে ব্ৰীষ্টলাচৰ ৩৩ দিনত আৰু এটি উপাদান আৱিষ্কাৰ কৰি গোটেই জগতক চমক লগালে। সেই উপাদানটি হল বেডিয়াম। বেডিয়াম প্ৰভৃতি উপাদান বিলাকৰ এটি বিশিষ্ট গুণ আছে যে এই পদাৰ্থটোৱে সকলো সময়তেই অদৃশ্য জ্যোতিঃ বিকীৰ্ণ কৰে। এই জ্যোতি বিশ্লেষণ কৰিলে দেখা যায় তাৰ এক অংশ ধনাত্মক বিদ্যুৎ বিশিষ্ট কণাৰ দ্বাৰা গঠিত আৰু দ্বিতীয় অংশ ঋণাত্মক বিদ্যুৎ কণাৰ সমষ্টি আৰু তৃতীয় অংশ ক্ষুদ্ৰ ক্ষুদ্ৰ আলোক ৰশ্মি। এই আলোক ৰশ্মিকেই " Radio Activity' বোলা হয়।

বেডিয়াম আৱিষ্কাৰৰ লগে লগে কুৰীইতৰ নাম গোটেই পৃথিবী ব্যাপি পৰিল। ১৯০৩ চনত ইংলণ্ডৰ ৰয়েল চোচাইটীয়ে "ডেভি" মেডেল উপহাৰ দিলে আৰু তাৰ পাছৰ বছৰতে বেক্কেৰেল আৰু কুৰী দম্পতিয়ে নোবেল প্ৰাইজ পালে। ১৯০৬ খৃঃ ত পেৰী হঠাৎ এটি ৰাস্তা পাৰ হওঁতে মটৰ গাৰীৰ তলত চেপা পৰি মৃত্যু হয়। স্বামীৰ মৃত্যুত মেডেম কুৰী বৰ অভিভূত হৈ পৰিল। পেৰী মাষোন ডেৰ বছৰ কাল "Perriy Faculty of Science" বিজ্ঞালয়ৰ অধ্যাপক কামত ব্ৰতী আছিল। স্বামীৰ মৃত্যুৰ পিছত কুৰীয়েই সেই অধ্যাপকৰ পদ অতি দৃঢ়খেৰে গ্ৰহণ কৰিব লগাত পৰিছিল। তেওঁ সযত্নে আৰু অতি ধীৰ ভাৱে শেষ দিনলৈকে গবেষণা কাৰ্য্যত নিৰ্ত্ত আছিল। তেওঁৰ গবেষণাৰ মূল্য স্মৰণ কৰি ১৯১১ চনত পুনৰ নোবেল প্ৰাইজ দিয়া হয়। ইয়াৰ উপৰিও আমেৰিকাই কুৰীৰ বেডিয়াম সম্বন্ধে বিশেষ ভাবে সাহায্য কৰিছে। পৃথিবীৰ অন্যতম ধনকুবেৰ এণ্ড্ৰু কাৰ্ণেগীয়ে (Andrew Carnagi) মেৰী কুৰীৰ পৰীক্ষাগাৰত গবেষণাৰ নিমিত্তে প্ৰচুৰ অৰ্থ দান কৰিছে। ১৯২০ চনত আমেৰিকাৰ মহিলা সকলৰ পৰা মিচেচ উইলিয়াম্ ব্ৰাউন মেলনিয়ে (Mrs W. B. Meloney) চান্দা তুলি কুৰীক একগ্ৰাম বেডিয়াম উপহাৰ দিয়ে। কুৰী মেতিয়া উপহাৰ গ্ৰহণ কৰিবলৈ আমেৰিকালৈ যায় তেতিয়া আইনজ্ঞ সকলৰ দ্বাৰা তেওঁ মেলিনৰ সৈতে এই মৰ্ম্মে ব্যৱস্থা কৰে যে বেডিয়াম প্যাৰী ইন্‌ষ্টিটিউটত চিৰদিন গবেষণাৰ নিমিত্তে ব্যৱহৃত হব। ১৯২৯ চনত তেওঁ পুনৰ আমেৰিকালৈ আমন্ত্ৰিত হয়। এইবাৰ প্ৰেচিডেণ্ট হুভাৰে আমেৰিকাবাসীৰ পক্ষৰ পৰা ওৱাৰ্ছ (Warsaw হাস্পাতালত ব্যৱহাৰৰ নিমিত্তে একগ্ৰাম বেডিয়াম (মূল্য ৫০ হাজাৰ ডলাৰ) উপহাৰ দিয়ে। তেওঁ যি উপহাৰ আৰু সন্মান পাইছে সেই উপহাৰ আৰু সন্মান তেওঁৰ নায্য পাৰ লগীয়া আছিল কাৰণ এই অৰ্থৰ প্ৰত্যেক কণাটি জন সাধাৰণৰ হিতৰ কাৰণেই তেওঁ অৰ্পণ কৰিছে। কুৰীৰ নিচিনা মহীয়সী নাৰীৰ নাম যুগ যুগান্তৰলৈ চিৰস্মৰণীয় হৈ থাকিব। কুৰীৰ অসাধাৰণ প্ৰতিভা, অক্লান্ত পৰিশ্ৰম, গভীৰ মনোনিবেশৰ গুণতেই তেওঁৰ নাম আজি পৃথিবীত

অমর। তেওঁৰ স্বাধীন ভাৱ, সৰল জীৱন, নিৰ্ম্মল চৰিত্ৰ, স্বাৰ্থত্যাগ পৃথিবীৰ সকলোবে অনুকৰণীয়, সকলোবে পূজ্য।

বিজ্ঞানৰ সাধনাই তেওঁৰ মূল মন্ত্ৰ। বিজ্ঞানৰ মাজেদি নিজৰ বা জগতৰ অৰ্থ নৈতিক উপকাৰ কৰা মেৰী কুৰীৰ উদ্দেশ্য নাছিল। সেই কাৰণে বেডিয়াম আবিষ্কাৰৰ মূলত আছে অসীম ধৈৰ্য্য, স্পৃহা, প্ৰেৰণা, তাত আৰ্থিক লাভৰ কোনো উদ্দেশ্য নাই। এনেকৈ বেডিয়ামৰ পৰা এদিন মানুহৰ কল্যাণ হব এই কথা কেতিয়াও কল্পনা কৰা নাছিল। নিজৰ কথাত তেওঁৰ যাই উদ্দেশ্য সি দবে ব্যক্ত কৰি গৈছে ঠিক সেই দবে উল্লেখ কৰা হল।

" Humanity surely needs practical men who make the best of their work for the sake of their own interest without forgeting the general interest, but it also needs dreamers, for whom the unselfish following of a purpose is so imperative that it becomes impossible for them to devote much attention to their own material benelit."

অনুসন্ধানকাৰী আৰু বেডিয়াম উৎপাদন কাৰ্য্যত প্ৰবৃত্ত থকা বিশেষজ্ঞ সকলে আৰু চিকিৎসালয়ৰ অধ্যক্ষ সকলে পৃথিবীৰ প্ৰত্যেক গবৰ্ণমেণ্টৰ একোজন প্ৰতিনিধিবে এখন বিশ্ব সঙ্ঘ স্থাপিত কৰি বেডিয়াম পৰিচালনৰ কাৰ্য্যভাৰ তেওঁলোকৰ ওপৰত ন্যস্ত কৰিব লাগে বুলি টানি ধৰিছে। প্ৰয়োজন অনুসৰিহে বিশ্বসঙ্ঘই বেডিয়াম খৰচ কৰিব পাৰিব এই মৰ্ম্মে পৃথিবীৰ প্ৰত্যেক জাতিলৈকে আবেদন কৰিছে।

বেডিয়ামৰ বিষয়ে বহুতো বহুত পুৰ্ণ কথা আছে। মেৰী কুৰীয়ে বেডিয়াম আবিষ্কাৰ কৰাৰ পাছতে Joachimstal খনিৰ পৰা অষ্ট্ৰীয়ান গবৰ্ণমেণ্টৰ তত্ত্বাবধানত যৎসামান্য বেডিয়াম বাহিৰ হবলৈ ধৰিলে। এই খনিৰ পৰা উৎপাদন হোৱা বেডিয়াম কেৱল অষ্ট্ৰীয়াৰ হাস্পাতালত আৰু কেনচাৰ বোগৰ চিকিৎসাৰ বাবে আন আন হাস্পাতাললৈ যৎসামান্য ভাৱে ধাৰে দিয়া হৈছিল। সেই সময়তে পিটচ বাৰ্গৰ জোচেফ এম ফ্ৰেনেৰী নামে এজন ধনী সদাগৰৰ ভনীয়েক কেনচাৰ বোগত আক্ৰান্ত হৈ যন্ত্ৰণাত অধীৰ হৈ পৰিছিল। কোনো ঔষধে বা কোনো চিকিৎসকে এই বোগৰ প্ৰতিকাৰ কৰিব নোৱাৰিলে। শেহত যেতিয়া জানিব পাৰিল যে বেডিয়ামেই কেনচাৰ বোগৰ মহৌষধ, তেওঁ তেওঁৰ, বিপুল ঐশ্বৰ্য্য বিভূতিৰ বিনিময়তো সেই সময়ত কণামাত্ৰও বেডিয়াম নপোলে। অতি আদৰৰ ভনীয়েকৰ মৃত্যুত ফ্ৰেনেৰীয়ে মৰণান্তিক শোক পালে। ইয়াৰ কিছু দিনৰ পিছতেই 'ইউটাই' আৰু কলবেদত' মৃত্তিকা স্তূপ আবিষ্কৃত হোৱা সংবাদ আহিল। ফ্ৰেনেৰীয়ে এই সংবাদ পাই তেওঁৰ ধন সম্পত্তি বেডিয়াম উৎপাদন কাৰ্য্যত ব্যয় কৰি এই সংক্ৰামক ব্যাধিৰ পৰা নৰ সমাজক উদ্ধাৰ কৰি কল্যাণ সাধন কৰিবলৈ সঙ্কল্পিত হল। 'ইউটাই' আৰু 'কলবেদত' মৃত্তিকা স্তূপৰ খনন কাৰ্য্য আৰু উৎপাদন কাৰ্য্য চলাবৰ নিমিত্তে কাৰখানা, বসায়ণাগাৰ, পৰীক্ষাগাৰ স্থাপন কৰিলে। পৰীক্ষা কৰি জানিব পৰা গৈছে যে এই মৃত্তিকা পদাৰ্থৰ ১৯ হাজাৰ টন অৰ্থাৎ প্ৰায় ৪৪০০০০ যোগৰ পৰা মাত্ৰোন ১ আউন্স বেডিয়াম পৃথক কৰিব পৰা যায়। ফ্ৰেনেৰীৰ হিতাকাঙ্খী আৰু বৈজ্ঞানিক সকলে কবলৈ ধৰিলে এই দবে এই মৃত্তিকা পদাৰ্থৰ পৰা বেডিয়াম পৃথক কৰিব লগীয়া হলে তেওঁ অতি শীঘ্ৰে দেৱলীয়া হব লাগিব। ফ্ৰেনেৰীয়ে এইবিলাক কথালৈ ভ্ৰুক্ষেপ নকৰি নিজৰ কাৰ্য্যত দুগুণ উৎসাহ আৰু উদ্যমেবে লাগি গল। তেওঁ এই কাৰ্য্য ১৯১৪ চনলৈকে একেবাহে চলাই আছিল। এনেতে যুৱোপত মহাসমৰ আৰম্ভ হয়। যুৱোপীয় গবৰ্ণমেণ্ট সকলোকে বেডিয়াম কেৱল কেনচাৰ বোগৰ কাৰণে প্ৰয়োজন হৈছিল এনে নহয় যুদ্ধত ব্যৱহাৰ কৰা বন্দুকৰ দৃষ্টি গোচৰ আলোকিত কৰিবৰ কাৰণে আৰু যুদ্ধৰ আন আন সামগ্ৰীত ব্যৱহাৰ কৰিবলৈকো বিশেষ প্ৰয়োজন হৈছিল। এই সময়তেই আমেৰিকাই যুৱোপত আউন্সে ১০০০০০ পাঃ হিচাবে বেডিয়াম বিক্ৰি কৰিছিল। এনেতে আমেৰিকান সকলৰ ওপৰত বিনা মেঘে বজ্ৰপাত পৰিল। বেলজিয়ামৰ এটা কোম্পানীয়ে

বেডিয়াম আবিৰ্ভাব কৰাত বেডিয়ামৰ দাম আউন্সে ৮২০০০০ পাঃ লৈ নামিল আৰু ফলত আমেৰিকান কোম্পানী বিলাক দেউলীয়া হব লগাত পৰিল। বেলজিয়াম সকলে বেলজিয়াম কংগোত অতি গুপ্ত ভাবে মৃত্তিকা স্তূপৰ পৰা বেডিয়াম উৎপাদন ৰূপে এদিন বেডিয়ামৰ বজাৰ একচেটীয়া কৰিবৰ অভিপ্ৰায়ে বহুদিনৰ পৰা চেষ্টা কৰি আছিল। আজি প্ৰায় দহ বছৰ হল বেলজিয়ানসকলে পৃথিবীত বেডিয়ামৰ বজাৰ একচেটীয়াকৈ বাখিছে। এতিয়া মাণোন কৰ্ণৰেল্, মাদাগাচকাৰ, পৰ্ত্তুগাল্ আদি ঠাইত মৃত্তিকা স্তূপ আৰু বেডিয়াম জাত পদাৰ্থ আবিষ্কৃত হোৱাত এই একচেটীয়া বজাৰ ভঙ্গ হোৱাৰ ভয় হৈছে। এই স্তূপ বিলাকৰ পৰা প্ৰচুৰ অৰ্থ ব্যয় কৰিলেহে যং সামান্য বেডিয়াম পৃথক কৰাটো সম্ভৱপৰ হৈ উঠিব বুলি বেডিয়াম কাৰ্য্যত প্ৰবৃত্ত থকা বিশেষজ্ঞসকলে মন্তব্য প্ৰকাশ কৰিছে। ৫০০ টন (১৩১৫০ মোণ) পিচ্‌চ ব্লেণ্ডৰ পৰা মণোন এক আউন্স বেডিয়াম পৃথক কৰা যায়।

আমেৰিকাৰ গিল্‌বার্ট লা বিন্ (Gilbart la bine) নামে এজন সোণৰ খনিৰ কাৰবাৰত থকা মানুহে গ্ৰেট বিয়াৰ হ্ৰদ প্ৰদেশত প্ৰচুৰ পিচ্‌চ ব্লেণ্ডৰ স্তূপ আবিষ্কাৰ কৰিছে। এই আবিষ্কাৰে বেডিয়ামৰ দাম শতকৰা ৫০ মান কমাব বুলি আশা কৰা যায়। লা বিনে মেনিটবাত সোণৰ খনিৰ কাৰবাৰ কৰিছিল। তেওঁৰ কাৰবাৰত বিশেষ উন্নতি হোৱা নাছিল। এদিন কথা প্ৰসঙ্গত সেই অঞ্চলত থকা এজন ডাক পিয়নৰ পৰা জানিব পাৰিলে যে গ্ৰেটবিয়াৰ হ্ৰদৰ উত্তৰ অঞ্চলত ব্লেক নদীৰ ওচৰতে কিছুমান শিলৰ গঠনৰ পৰা তাম বা কণৰ খনি থকাৰ দৰিচ্চ পোৱা যায়। খনিত কাৰ্য্য কৰা বিশেষজ্ঞ সকলক এই বিষয়ে ব্যক্ত কৰাত হাঁহি উৰুৱাই দিলে। কিন্তু লা বিন এজন সাহিয়াল, উৎসাহী পুৰুষ আছিল। সাহ, উদ্যম বহুত ব্যক্তি ইয়াৰ অনুসন্ধানত ওলাল। লগত ললে চাৰ্লচ চেণ্ট পল নামে এজন বন্ধুক। উৰাজাহাজবে প্ৰায় ৫০ মাইল দক্ষিণে অবতৰণ কৰি সেই অঞ্চলত ঘুৰি ফুৰি কোনো তাম বা কণ জাত পদাৰ্থৰ অনুসন্ধান নাপাই পুনঃ দক্ষিণ পুব অঞ্চলৰ পিনে অভিযান কৰিলে। সেই অঞ্চলত ঘুৰি ফুৰোতে হঠাৎ চিক্‌মিকিয়া কণা, বামধনু বিশিষ্ট বঙা, সেউজীয়া, হালধীয়া, ইত্যাদি নানা চিত্ৰ বিচিত্ৰ বৰণৰ মৃত্তিকা দেখা পালে। এইয়েই পিচ্‌চ ব্লেণ্ডৰ স্তূপ। লা বিনে জীৱনত কেতিয়াও পিচ্‌চ ব্লেণ্ডি দেখা নাই। তেওঁৰ এইটো সণোনবো অণোচৰ আছিল যে শত শত বছৰৰ পূৰ্ব্বে আগ্নেয়গিৰি বিদাৰণৰ ফলত ভূগৰ্ভৰ পৰা কোটি কোটি টনে সেই হ্ৰদ প্ৰদেশত বিস্তাবিত হৈ আছে। ৬ মাহৰ মুবত তেওঁ মনিটবাৰীলে ঘুৰি গৈ আৰু আবিষ্কাৰৰ বিষয়ে গবৰ্ণমেণ্টক ধৰিলে। এতিয়া বেডিয়াম উৎপাদন কাৰ্য্যৰ নিমিত্তে Post Hop চহৰত ফ্ৰাঞ্চৰ বিখ্যাত বৈজ্ঞানিক L. Pochon. অৰ তত্ত্বাবধানত ডাঙৰ কাৰখানা আৰু পৰীক্ষাগাৰ খোলা হৈছে। L. Pochon আৰু আন চাৰি জন আজি ৩০ বছৰ পূৰ্ব্বে বেডিয়াম উৎপাদন আৰু পৰীক্ষা কাৰ্য্যত প্ৰবৃত্ত হৈছিল। L Pochonৰ বাহিৰে আটাই কেউজনৰ কেনচাৰ বোগত মৃত্যু হৈছে।

বহুকাল বেডিয়াম উৎপাদন কাৰ্য্যত অভিজ্ঞতা থকা এজন ভূতত্ত্ববিদে ভূগৰ্ভত থকা বেডিয়াম জাত শিল আৰু স্তূপৰ পৰা বেডিয়ামলৈ ৰূপান্তৰ হওঁতে কিমান যুগ লাগে তাৰ বিষয়ে এইদবে মন্তব্য প্ৰকাশ কৰিছে।

"Its takes about five thousand million years for Uranium to disintegrate in to Radium. After that the Radium begins furiously to commit suicide, so to speak for Radium then disintegrate in to its myraid rays of invisible foil, its heliuim gass and its billions of electrons at a terrific rate" he said, "It takes only twenty thousand years to transform itself into lead" he added.

ৰোডচৰ বিশাল প্ৰতিমূৰ্ত্তি

—শ্ৰীযুত বিষ্ণুচৰণ বৰা, বি-এল

ৰোডচৰ বিশাল প্ৰতিমূৰ্ত্তি পৃথিবীৰ সপ্তাশ্চৰ্য্যৰ ভিতৰৰ এক। ৰোডচ লিছিয়া আৰু কেৰিয়াৰ প্ৰায় বিপৰীত ফালে ভূমধ্যসাগৰত অৱস্থিত দ্বীপ। ইয়াৰ পৰিধি ১২০ মাইল। ইয়াৰ ৰাজধানী ৰোডচ নগৰ এই দ্বীপৰ পূব তীৰত থকা পাহাৰৰ তলৰ সমতল ঠাইত খৃঃ পূঃ ৪০৮ চনত নিৰ্ম্মাণ কৰা হৈছিল। এই নগৰৰ বিশেষত্ব এই যে ই গোলাকাৰ ৰঙ্গালয়ৰ অনুকৰণত তৈয়াৰি। এই নগৰৰ বহুত বৃহৎ অট্টালিকাৰ ভিতৰত এপলোৰ মন্দিৰ উল্লেখযোগ্য। ইয়াৰ মাটি অতি সাৰুৱা আৰু ই নানা তৰহৰ উৎকৃষ্ট ফল আৰু দ্ৰাক্ষাবসৰ (দ্ৰাক্ষাৰ পৰা তৈয়াৰি মদ) নিমিত্তে সুপ্ৰসিদ্ধ। ৰেডিয়ানবিলাক বিজ্ঞান সাহিত্য ও শিল্প চৰ্চ্চাৰ বাবে বিখ্যাত। মহাবীৰ আলেকজেণ্ডাৰে এই দ্বীপ আক্ৰমণ কৰি অধিকাৰ কৰিছিল। বেবিলনত তেওঁৰ মৃত্যুৰ পিছত ৰেডিয়ানবিলাকে তেওঁৰ সৈন্যবাহিনী এই দ্বীপৰ পৰা বাহিৰ কৰি দিছিল।

ইয়াৰ প্ৰজাবিলাকে যাইকৈ ইজিপ্ত দেশৰ লগত বাণিজ্য ব্যৱসায় চলাই বৰ চহকী হৈছিল আৰু এই কাৰণেই ইজিপ্তৰ ৰজা টলেমি চটাৰৰ অনুগত আছিল। খৃঃ পূঃ ৩০৫ চনত মেচিদনৰ এণ্টিগণাচৰ সৈতে টলেমিৰ যুদ্ধ হোৱাত ৰেডিয়ানবিলাকে ইজিপ্তৰ ৰজাৰ পক্ষ সমৰ্থন কৰিছিল। এই বাবেই এণ্টিগণাচে তেওঁৰ পিতাক ডেমিট্ৰিয়াচক নৌবাহিনীসহ পঠিয়াই ৰোডচৰ আৰু ইজিপ্তৰ বাণিজ্য ব্যৱসায় বন্ধ কৰি দিছিল। এণ্টিগণাচ আৰু ৰেডিয়ানবিলাকৰ লগত ভীষণ যুদ্ধৰ এইয়ে সূত্ৰপাত। এই যুদ্ধ প্ৰায় একবছৰ চলিছিল। টলেমিৰ পৰা সকলো প্ৰকাৰে সম্পূৰ্ণ সহায় পাই ৰেডিয়ানবিলাকে অৱশেহত ডেমিট্ৰিয়াচক পৰাজয় কৰে। দুয়ো পক্ষই এই ভাৱে সন্ধি কৰিলে যে ভবিষ্যতে টলেমিৰ বাহিৰে সকলোৰে বিৰুদ্ধে ৰেডিয়ানবিলাকে ডেমিট্ৰিয়াচক সহায় কৰিব লাগিব।

এই সন্ধিৰ পিছত ডেমিট্ৰিয়াচে ৰেডিয়ানবিলাকৰ সাহস আৰু বীৰত্ব প্ৰশংসা কৰি তেওঁ যুদ্ধলৈ অনা সকলো বিলাক বস্তু আৰু ইঞ্জিন উপহাৰ দিলে। ৰেডিয়ানবিলাকে এটাইবিলাক বিক্ৰি কৰি ন লক্ষ টকা পাইছিল আৰু তাৰেই তেওবিলাকৰ প্ৰধান দেৱতা এপলোৰ সন্মানাৰ্থে এই জগদ্বিখ্যাত এপলোৰ প্ৰতিমূৰ্ত্তি নিৰ্ম্মাণ কৰিছিল। ইয়াক নিৰ্ম্মাণ কৰিবলৈ সম্পূৰ্ণ বাৰ বছৰ লাগিছিল।

এই প্ৰতিমূৰ্ত্তি খৃঃ পূঃ ৩০০ চনত নগৰৰ এক বন্দৰৰ প্ৰবেশ পথৰ ৫০ ফিট ব্যৱধানত থকা দুটা টিলাৰ ওপৰত তৈয়াৰ কৰা হৈছিল। শুধ পিতলৰ নিৰ্ম্মিত এই প্ৰতিমূৰ্ত্তি ১২৫ ফিট ওখ—ভিতৰে ফোঁপোলা। ভৰি দুখন দুই টিলাৰ ওপৰত শিলৰ তৈয়াৰি বহল থাপনা বা প্লেটফৰ্মৰ ওপৰত স্থাপিত। ইয়াক স্থিৰ ৰাখিবৰ নিমিত্তে ভৰিৰ পৰা মূৰলৈকে দুয়ো কাষে গাতে লগাই পাথৰৰ প্ৰাচীৰ তৈয়াৰ কৰি দিছিল। শিৰলৈকে উঠি যাব পৰাকৈ প্ৰাচীৰৰ লগতেই খট-খটি আছিল। এই খট-খটিৰ একেবাৰেই ওপৰত উঠিলে চিৰিয়া ৰাজ্য আৰু ইজিপ্তলৈ অহা যোৱা কৰা সমুদ্ৰ জাহাজবিলাকৰ মনোৰম দৃশ্য দৃষ্টিগোচৰ হয়। দীঘল হাতৰ মানুহেও ইয়াৰ হাতৰ বুঢ়া আঙুলি এটা আকোঁৱালি নাপাইছিল।

তিনি কুৰি বছৰ স্থিতিৰ পিছত এটা ডাঙ্গৰ ভূমিকম্পই ইয়াক চুৰমাৰ কৰি ভাঙ্গি পেলালে। এই ভূমিকম্পই নগৰৰো বহুত অনিষ্ট কৰিছিল। বাণিজ্য সম্পৰ্কে এই নগৰৰ উপকাৰিতা আৰু আৱশ্যকতা উপলব্ধি কৰি বহুত দেশৰ ৰজাই সেই নগৰ আৰু প্ৰতিমূৰ্ত্তি মেৰামত কৰিবলৈ বহুত টকা দান কৰিছিল। ৰেডিয়ানবিলাকে সেই টকাৰেই নগৰ আগৰ দৰে মেৰামত কৰি ললে কিন্তু ডেল্‌ফিত হোৱা ভবিষ্যদ্বাণীৰ বাধা মতে সেই প্ৰতিমূৰ্ত্তি পুনৰাই নুতুলিলে।

তেতিয়াৰে পৰা প্ৰায় ৯০০বছৰ ই ভগ্নাৱস্থাত স্তূপাকাৰ হৈ পৰি আছিল। ৬৭২ খৃঃত এডিচা দেশৰ এজন সদাগৰে পৰি থকা গোটেই স্তূপটো কিনি ললে আৰু ৯০০ উটৰ পিঠিত বোজাই কৰি পিতলবিলাক লৈ গল।

ৰাষ্ট্ৰনায়ক ষ্টেলিন

—শ্ৰীযুত দীননাথ শৰ্ম্মা

যুগান্তকাৰী পুৰুষ সকলৰ ভিতৰত চোভিয়েট ৰুছিয়াৰ ডিক্টেটৰ বা নায়ক জোছেফ্ ষ্টেলিনো এজন। ১৯১৭ চনৰ বিপ্লৱৰ পিছত ৰুছিয়াত যি অভিনৱ শাসন তন্ত্ৰ গঠিত হৈছিল তাৰ মূলত আছিল লেনিনৰ দৰে কেইজনমান সংস্কাৰকামী মহাপুৰুষ। লেনিন হৈছিল গুৰি ধৰোতা। লেনিনৰ মৃত্যুৰ পিছতে ৰাষ্ট্ৰনায়কৰ স্থান অধিকাৰ কৰিলে জৰ্জ্জিয়াৰ মুচিৰ ল'ৰা—অতি চতুৰ তীক্ষ্ণবুদ্ধি সম্পন্ন জোছেফ ষ্টেলিনে। ষ্টেলিনৰ জন্ম প্ৰাচ্যত। যি ঠাইত এচিয়া আৰু য়ুৰোপৰ মিলন হৈছে, যি ঠাই মুছলমান আৰু খৃষ্টান ধৰ্ম্মৰ মিলন কেন্দ্ৰ, সেই ঠাইতে ষ্টেলিনৰ জন্ম।

যি ষ্টেলিনে এদিন দাৰিদ্ৰ্যৰ নিষ্পীড়নত অশেষ কষ্ট ভোগ কৰি সাধাৰণ জীৱন যাপন কৰিছিল; আজি সেই ষ্টেলিনেই সমগ্ৰ ৰুছিয়াৰ সৰ্ব্বে সৰ্ব্বা অধিপতি। ষ্টেলিনৰ সমকক্ষ নেতা ৰুছিয়াত আৰু নাই। কবলৈ গলে তেওঁ প্ৰতিদ্বন্দী শূন্য ৰুছিয়াৰ ভাগ্য নিয়ন্তা। ককেচাচ পৰ্ব্বতৰ ওখ শিখৰৰ সগৌৰৱে শিৰ উন্নত কৰি নিজৰ মহিমা প্ৰচাৰ কৰিছে সেই দৰেই দীন-দৰিদ্ৰ জোছেফে।

যদিও লেনিন চোভিয়েট ৰুছিয়াৰ প্ৰৱৰ্ত্তক, তথাপি তেওঁৰ ক্ষমতা আৰু প্ৰতিপত্তি ষ্টেলিনৰ দৰে নাছিল। ষ্টেলিন নিজৰ ক্ষমতাত বিশ্বাসৱান। তেওঁ কোনো প্ৰতিপক্ষক ভাল নাপায়। সেই কাৰণেই বোধহয় তেওঁ দেশৰ পৰা ট্ৰটস্কীৰ দৰে বহুত স্বাধীন চৰিত্ৰ শক্তিমান নায়কক দূৰ কৰি নিজৰ ক্ষমতা অপ্ৰতিহত কৰি ৰাখিছে। বৰ্ত্তমান তেওঁৰ মতাৱলম্বী লোক সকলেই চোভিয়েট ৰুছিয়াৰ সকলো কাৰ্য্য চলায়।

কোনো কোনো বিদেশীয়ে কয় ষ্টেলিনৰ দৰে স্বেচ্ছাচাৰী ক্ষমতাসম্পন্ন নায়ক ৰুছিয়াত কেতিয়াও নাছিল। আনকি অত্যাচাৰী 'জাৰ' সকলেও ৰুছিয়াৰ ওপৰত ইমান প্ৰভুত্ব কৰি পোৱা নাই। আজি ইচ্ছা কৰিলে ষ্টেলিনে কলমৰ এটি খোচতে ৰুছিয়া সমাজৰ সকলো শ্ৰেণীকে লোপ কৰি দিব পাৰে। তেওঁ ইচ্ছা কৰিলে কোনো ঠাই জনশূন্য কৰি তাত নতুন উপনিবেশ স্থাপন কৰিব পাৰে। মুঠতে ষ্টেলিনে আজি প্ৰায় ১৬ কৌটি নৰনাৰীৰ ভাগ্য পৰিচালনা কৰিছে, নিজৰ ইচ্ছানুযায়ী।

ৰুছিয়াৰ শাসনতন্ত্ৰ সাম্যবাদী হলেও আজি তাৰ বিপৰীতেই দেখা যায়। কিয়নো ৰুছিয়াৰ কোনো সভা সমিতিত কোনো কমিউনিষ্ট নেতাই বক্তৃতা আদি দিবলৈ হলেও আগতে ষ্টেলিনৰ গুণ কীৰ্ত্তন কৰি লব লাগিব। ই এটা নিয়মৰ অন্তৰ্ভুক্তই হৈ পৰিছে। আনকি সিদিনা অলপতে সাম্যবাদী সকলৰ যি অধিবেশন হৈ গল তাতো বক্তা সকলে এই নিয়মৰ ব্যতিক্ৰম কৰিব নোৱাৰিলে। ষ্টেলিনৰ প্ৰশংসাধ্বনি ইমান বেচি হৈছিল যে সেই অধিবেশনক কমিউনিষ্ট সকলৰ সভা নুবুলি কোনো ক্ষমতাপন্ন সম্ৰাটৰ দৰবাৰ বুলিবহে পাৰি।

বৰ্ত্তমান ষ্টেলিনৰ প্ৰভাৱ ইমান বেছি যে বলচেভিক-বাদৰ প্ৰতিষ্ঠাতা মাৰ্কচ, লেনিন, আৰু এঞ্জেলৰ নামৰ সৈতে হয়তো ষ্টেলিনৰ নামো যোগ কৰা হব। আনকি সময়ত এঞ্জেলৰ নামৰ পৰিৱৰ্ত্তে মানুহে ষ্টেলিনৰ নামহে লয়।

বহুতৰ বিশ্বাস—ষ্টেলিনে শক্তি আৰু ধূৰ্ত্ততা এই দুই গুণৰ সহায়তহে চোভিয়েট ৰুছিয়াৰ নিয়ন্তা হব পাৰিছে। অৱশ্যে এই কথাৰ সত্যতা যে নাই এনেও নহয়। লেনিনৰ মৃত্যুৰ পিছতে চেক্ৰেটৰীৰূপে ষ্টেলিনে স্ব পক্ষৰ দল এটা গঠন কৰে। এই সকল কৰ্ম্মচাৰী আছিল স্বাৰ্থপৰ আৰু উচ্চাভিলাষী। তেওঁলোকে পদোন্নতিৰ কাৰণে সদায়

ষ্টেলিনৰ মুখাপেক্ষী হৈ থাকিব লগাত পৰিছিল। আৰু সেই কাৰণেই কংগ্ৰেছত তেওঁলোকে সকলো প্ৰকাৰে ষ্টেলিনক সমৰ্থন কৰিছিল। ক্ৰমে ষ্টেলিনৰ এই দলটোৰ শক্তি আৰু প্ৰতিপত্তি বাঢ়ি যায়। অৱশেষত এই দলৰ সহায়তেই তেওঁৰ ৰাজনৈতিক প্ৰতিদ্বন্দী সকলৰ ৰাজনৈতিক জীৱন নাশ কৰিবলৈ ষ্টেলিন সক্ষম হয়। লেনিনৰ পুৰণি সহকৰ্ম্মী জিনোভিভ্ আৰু কামানেভৰ সহায়ত তেওঁ ট্ৰটস্কীৰ বিনাশ কৰে।

যেতিয়া লিওন ট্ৰটস্কীৰ প্ৰতিদ্বন্দীতাৰ পৰা তেওঁ ৰক্ষা পৰিল তেতিয়া সহজেই জিনোভিভ আৰু কামানেভক আঁতৰ কৰা হল। ইয়াৰ পিছত ট্ৰেড য়ুনিয়নৰ নেতা ৰাইকফ, কমিউনিষ্ট মুখপত্ৰৰ সম্পাদক ট্ৰটস্কী আৰু বুখাৰিনৰ প্ৰতিভাও নষ্ট কৰাত ষ্টেলিন ৰুছিয়াৰ একেশ্বৰ হৈ পৰিল। লেনিনৰ জীৱন কালত চোভিয়েট ৰাজনৈতিক সঙ্ঘত যি সকল মহা প্ৰতিভাৱান লোক আছিল তেওঁলোকক এটা এটাকৈ সকলোকে দূৰ কৰি ষ্টেলিনে নিজৰ বাট পৰিষ্কাৰ কৰি ললে। সেই কাৰণে ষ্টেলিনৰ শক্তি আৰু ধূৰ্ত্ততা সম্বন্ধে মানুহৰ যি ধাৰণা সি অমূলক নহয়।

ষ্টেলিনৰ দৰে আত্ম-শক্তিত বিশ্বাসৱান আন কোনো লোক দেখিবলৈ পোৱা নাযায়! তেওঁৰ শক্তি আচৰিত! ষ্টেলিনৰ নিজৰ যে ভুল হয়, এই কথা তেওঁ স্বীকাৰ নকৰে। সেই হেতুকেই তেওঁৰ পৰিচালিত কমিউনিষ্ট দলৰো প্ৰায়ে ভুল নহয়। যদি কেতিয়াবা এই অৱস্থাৰ হেৰফেৰো হয় তেতিয়া দোষ পৰেগৈ কোনো ইঞ্জিনিয়াৰৰ গাত, নাইবা স্থানীয় চোভিয়েট কৰ্ম্মচাৰী সকলৰ ওপৰত।

মুঠতে সকলো দোষৰ কাৰণে দোষী হতভগীয়া কৰ্ম্মচাৰী সকল, আৰু শাস্তিও গ্ৰহণ কৰিব লাগে তেওলোকেই।

ষ্টেলিনে ইচ্ছা কৰে, তেওঁৰ ৰুছিয়াখন যাতে সাম্যবাদী আমেৰিকাৰ দৰে হয়। সেই অৰ্থে তেওঁ যন্ত্ৰৰ বৰ ভক্ত হৈ পৰিছে। নানা ঠাইত ডাঙৰ ডাঙৰ কাৰখানা আৰু শিল্পালয় স্থাপন কৰিছে।

সাম্যবাদী ষ্টেলিনৰ সভ্যতা হিচাপেও ধাৰণা আচৰিত। তেওঁ এবাৰ কৈছিল—"যেতিয়া আমি য়ুনিয়নক মোটৰ গাৰীত আৰু গাৱঁৰ কৃষকক ট্ৰাক্টাৰত বহুৱাম তেতিয়া যেন অভিজাত্যাভিমানী ধনী সকলে ইয়াক চাবলৈ যত্ন কৰে।" এই কথাত উইলিয়ম এইচ, চেম্বাৰলেনে লিখিছে "কি আচৰিত! মোটৰ আৰু ট্ৰাক্টাৰতেই যেন সভ্যতাৰ গন্দী আৱদ্ধ আছে! কিন্তু দলে দলে মানুহক বিনাবিচাৰে নিৰ্ব্বাসন বা শাস্তি দিয়াত হলে সভ্যতাৰ কোনো সম্পৰ্ক নাই!" ষ্টেলিন কিন্তু এইবোৰ মন্তব্যলৈ কাণ কৰা মানুহ নহয়।

তেওঁ মহাকৰ্ম্মী পুৰুষ। প্ৰায় সকলো সৰু-সুৰা কথালৈকে তেওঁ চকু দিয়ে। কিতাপ পঢ়া আৰু খুব বেগাই মটৰ চলাবলৈ ষ্টেলিনৰ অসাধাৰণ অনুৰাগ। কেতিয়াবা কেতিয়াবা তেওঁ অপেৰা আৰু থিয়েটাৰ চাবলৈকো যায়। অৱসৰ পালে তেওঁ জন্মভূমিলৈ গৈ কৃষ্ণ সাগৰত গা ধুবলৈকো ভাল পায়।

পাৰিবাৰিক হিচাপেও ষ্টেলিনৰ জীৱন বিশেষত্ব বৰ্জ্জিত নহয়। তেওঁৰ প্ৰথম পক্ষৰ ঘৈনীয়েকৰ গৰ্ভত ওপজা জ্যেষ্ঠ পুত্ৰ বৰ্ত্তমান সাবালক। দ্বিতীয়া পত্নিয়ে যোৱা ১৯৩২ চনত আত্মহত্যা কৰে। এওঁৰ গৰ্ভত ষ্টেলিনৰ এটা ল'ৰা আৰু এজনী ছোৱালী হয়। বোধহয় ষ্টেলিনে আকৌ বিয়া কৰাব। বহুতে ভাৱে তেওঁ এইবাৰ তেওঁৰ সহকৰ্ম্মী কাগানেভিচৰ ভনীয়েকৰ পাণি গ্ৰহণ কৰিব।

ষ্টেলিনে কাকো বিশ্বাস নকৰে। কৰিব লগা হলেও তেওঁ তেওঁৰ পুৰণি ককে চিয়ান সহকৰ্ম্মী সকলকে যি হয় অলপ কৰে। তেওঁৰ মত বিশ্বক জানিবলৈ নিদিয়াটোকে ষ্টেলিনে ঠিক কৰিছে।

বৰ্ত্তমান চোভিয়েট ৰুছিয়াত যি সকল কৰ্ণধাৰ আছে তেওঁলোকৰ ভিতৰত ষ্টেলিনৰ পাছতে তেওঁৰ বিশ্বস্ত সহকৰ্ম্মী লাজাৰাচ কাগানেভিচ আৰু কে, ই, ভোৰেচিলোফ। কাগানেভিচৰ বয়স চল্লিশ। কমিউনিষ্ট দলত এই ইহুদি পুৰুষৰ প্ৰভাৱ যথেষ্ট। পৰৰাষ্ট্ৰ সচিব ম্যাক্সিম্ লিটভিন্‌ফক সকলোৱে কুটনীতি-বিষাৰদ বুলি শ্ৰদ্ধা কৰিলেও ভিতৰুৱা কথাত তেওঁৰ একো হাত নাই।

কাগানেভিচো মুচিৰ লৰা। এওঁৰ প্ৰতিদ্বন্দী হ'ল ৰুছিয়াৰ সমৰ সচিব, সাধাৰণ মানুহৰ ল'ৰা ভেৰোশিলোফ্। সম্ভৱ এওঁলোকৰে কোনোবা এজনে ষ্টেলিনৰ পিছত চোভিয়েট ৰুছিয়াৰ গদী অধিকাৰ কৰিব।

ইয়াৰ পিছত আগলৈ ৰুছিয়াৰ বৰ্ত্তমান আৰ্থিক অৱস্থা সম্বন্ধে আলোচনা কৰিবলৈ মন থাকিল। ষ্টেলিনৰ দিনত ৰুছিয়াৰ অনেক পৰিৱৰ্ত্তন হৈছে। সেইবোৰ কথা শুনিলে বাস্তৱতে আচৰিত নহৈ নোৱাৰি।

চম্পা

গল্প—

—শ্ৰীযুত যাদৱ দেৱ শৰ্ম্মা

আজিও মনত পৰে সেই দিনটোৰ কথা। জীৱনত বহুতো লুটি বাগৰ খাই সময়ৰ সোঁতত উটি আহি, বহু দূৰ পাইছোঁ তথাপি মোৰ অন্তৰত সেই দিনটোৰ কথা একেবাৰে আজি কালিৰ ঘটনাৰ দৰে স্পষ্ট ৰূপে জ্বলি আছে। মই তেতিয়া এজন উৎসাহী ছাত্ৰ। দেহৰ শক্তি, মনৰ বল, প্ৰাণৰ স্ফূৰ্ত্তি পূৰ্ণ মাত্ৰায় আছে। যেতিয়া যলৈকে ইচ্ছা তলৈকে ঢাপলি মেলোঁ।

গ্ৰীষ্মৰ ছুটী; জেঠ মাহ। আমি দুই সমনীয়া বন্ধু ওলালোঁ এই বাৰিষা ভ্ৰমণৰ উদ্দেশ্যে। প্ৰথমে ধুবুৰীৰ পৰা খোজকাঢ়ি গৌৰীপুৰেদি বুৰঞ্জী বিখ্যাত ৰঙামাটিৰ মীৰজুমলাৰ মচজিদ আদি চাই বগৰীবাৰীলৈ গলোঁ। তাত কেইদিন মান থাকি বিলাসীপাৰাত জাহাজত উঠি গোৱালপাৰা পালোগৈ।

গোৱালপাৰা চহৰৰ পূবৰ ফালৰ পাহাৰৰ ওপৰৰ বাটটো দেখি মনত মানৰ দিনৰ কথা, অসমৰ স্বাধীন যুগৰ স্মৃতি জাগি উঠিল। মনত পৰিল সেই হাদিৰা চকিৰ ৰণৰ কথা; যিদিনা অসমৰ শেষ স্বাধীন ৰজা চন্দ্ৰকান্ত সিংহই শেষবাৰ জীৱন মৰণ পণ কৰি মানৰ লগত যুঁজিছিল আৰু এই গুৱালপাৰাৰ কাষতে যিদিনা সন্ধিয়াৰ লগে লগে পৰাধীনতাৰ ঘন ঘোৰ আন্ধাৰে আহি অসমৰ নিৰ্ম্মল গগন ঢাকি ধৰিছিল। মহাবাহু লুইত আৰু তেওঁৰ তীৰত থিয় দি থকা পৰ্ব্বতবোৰে সকলো ঘটনা দেখি আছে। আজিও বাবা ব্ৰহ্মপুত্ৰৰ পাৰত থিয় হৈ ভাৱিলে অতীতৰ ঘটনাবিলাক এটি এটিকৈ মনত পৰে। অতীতৰ সাক্ষী এই নদী পাহাৰবোৰে আমাৰ মনত তেতিয়া অসমৰ ভাগ্য বিপৰ্য্যয়ৰ কথাকে কেৱল মনত পেলাই দিছিল। আমাৰ দুয়োৰে মাজত আলোচনা চলিছিল কেনেকৈ অসমৰ আগৰ দিনৰ মানুহে নিজৰ কীৰ্ত্তি কাহিনী শিলৰ ওপৰত খোদিত কৰি ৰাখিছিল, মঠ-মন্দিৰ সাজিছিল, লো তৈয়াৰ কৰি তাৰ দ্বাৰাই কামান, বন্দুক আদি মৰণাস্ত্ৰ প্ৰস্তুত কৰি দেশ ৰক্ষা কৰিছিল, নানা কাৰুকাৰ্য্য খোচিত কানি কাপোৰ বইছিল, নিজে সকলো আৱশ্যকীয় পণ্য অৰ্জ্জন কৰি লব জানিছিল আৰু আজিৰ অসমীয়া কেনে পৰাধীনৰ পৰাধীন, পৰৰ মুখলৈ সদায় বাট চাব লাগে। এনে ভাৱে দুয়ো গোৱালপাৰাত কেইদিনমান ঘূৰি ফুৰিলোঁ। কেপ্টেন ডেভিচন চাহাবে অলপীয়া সৈন্যক বেছিকৈ দেখুৱাই মানক ভয় খুৱাবলৈকে যি বাট উলিয়াইছিল আজিও তাক স্মৃতি চিন হিচাবে ৰখা হৈছে। এই বাটটিয়ে আমাৰ মনত এনেবিলাক ভাৱ আনি দিছিল।

গোৱালপাৰাৰ পৰা গৈ যিদিনা পলাশবাৰী পালোঁ সেই দিনা আছিল পলাশবাৰীৰ হাট। অসমৰ বিখ্যাত হাটবোৰৰ ভিতৰত ইও এখন প্ৰকাণ্ড হাট। নানা বিধৰ কানি-কাপোৰ, এৰি-মুগা ইয়াত আমদানী হয়। বাচন বৰ্ত্তন, চাউল-পাত, তৰী-তৰকাৰী আদিও প্ৰচুৰ পৰিমাণে ওলায়। ওৰে দিনটো মেলাৰ নিচিনাকৈ এই হাটৰ ইফাল সিফাল ঘূৰিয়ে কটালোঁ।

বেলি তেতিয়া ভাটি দিছে। আমি নৈ পাৰ হৈ উত্তৰ পাৰলৈ আহিবলৈ ঘাটৰ কাষ চাপিলোঁ। দুই এখনকৈ নাও নৈ পাৰ হবলৈ ধৰিছে। আমিও আহি এখন সৰু নাওত উঠিলো। মানুহ আমি চাৰিজন। নাৱৰীয়া দুজনৰ লগত আমিও আনন্দতে দুয়ো দুখন বঠা ধৰি নৈ পাৰ হবলৈ ধৰিলো। সুন্দৰ নিৰ্ম্মল আকাশৰ তলত বিশাল ব্ৰহ্মপুত্ৰৰ বুকৰ ওপৰত আনন্দতে অধীৰ হৈ আমি যেন ঢৌৰ তালে তালে নাচিহে যাবলৈ ধৰিলো। সূৰ্য্য দেৱৰ প্ৰখৰ কিৰণ নিস্তেজ হৈ পৰিছে। পশ্চিমৰ পৰা মৃদু মধুৰ বতাহ বলিছে, ব্ৰহ্মপুত্ৰৰ পানীত আৰু

দূৰৈত পাহাৰবোৰৰ ওপৰত বেলিৰ অস্তমিত কিৰণ পৰি এক অপূৰ্ব্ব শোভা ধৰি উঠিছে। নীল আকাশৰ দুই এচপৰা ভাহি ফুৰা মেঘত সূৰ্য্যাস্তৰ বিবিধ বৰ্ণ দেখা গৈছে। কাষৰ পাহাৰখনত ফুলি থকা নানা জাতিৰ ফুলে অবৰ্ণনীয় শোভা বিস্তাৰ কৰিছে। লগত অহা আন আন নাওৰ মানুহবিলাকে জাত লগাই নাম গাইছে আৰু তাৰে তালে তালে বঠা মাৰিছে। এইবিলাকে মোৰ মনত এক অপাৰ আনন্দৰ সৃষ্টি কৰিছে। সিদিনাৰ সন্ধিয়াৰ শোভা যেনে মোৰ বৰ্ণনাৰ অতীত আমাৰ মনৰ আনন্দও তেনে অপাৰ অসীম যেন লাগিছিল। কোনে জানিছিল তেতিয়া যে পিছ মুহূৰ্ত্ততে এই সকলো উপলব্ধিৰ পৰিণতি ঘটিবলৈ এক বিষম দৈৱ দুৰ্ব্বিপাক।

পাৰ পাওঁ পাওঁ হৈছোঁ; পাৰৰ মানুহৰ মুখ চিনিব পৰা হৈছে। আমাৰ উত্তৰ পূব কোণে থকা পাহাৰটোৰ ফালৰ পৰা এসোঁতা পানী ওপৰলৈ উঠা দেখি মই উচাপ খাই উঠি নাৱৰীয়াজনক সুধিলোঁ;—"ককাই পানীখিনি কিয় তেনেকৈ ওপৰলৈ উঠিছে?" সি কলে—"বোপা, ভয় একো নাই—সেইটো ডকা ফুটিছে; তলত কিবা কাৰণে পানী বাধা পাই তেনেকৈ উঠিছে।" নাৱৰীয়াজনৰ কথা শেষ নৌহওঁতেই আমাৰ নাওৰ কাষতে তাতকৈ ডাঙৰ হৈ এটি ডকা ফুটিল আৰু আমাৰ নাওখন বগৰাই দিলে। আমি সকলোটি পানীত পৰিলোঁ। মোৰ লগৰজন আৰু নাৱৰীয়া দুজনে নাৱৰ গুৰাত ধৰি ওপঙি থাকিল। মই ভয়তে কিং কৰ্ত্তব্য বিমূঢ় হৈ কতো ধৰিবলৈ পাহৰি গলো।

বাৰিষাৰ ব্ৰহ্মপুত্ৰ যেন যৌৱন মদ-মত্ত। পাৰ উপচি ফেনে ফোটোকাৰে বিপুল বাৰি ৰাশি প্ৰৱল প্ৰচণ্ড বেগে প্ৰৱাহিত হব লাগিছে। এনে অৱস্থাত নাও বাগৰি পৰাত মোৰ দৰে মানুহ বিবুধি হোৱা একো আচৰিত কথা নাছিল।

যি হক পিছ মুহূৰ্ত্ততে আত্ম ৰক্ষাৰ কাৰণে যথাশক্তি যত্ন কৰিলো। সাঁতুৰি পাৰ পাবলৈ চেষ্টা কৰিলো; কিন্তু সি সমূলি মোৰ পক্ষে ব্যৰ্থ প্ৰয়াস হে হ'ল। ধুমুহাৰ বেগত খেৰ-কুটা যেনেকৈ থান-থিত নোহোৱাহৈ কোনোবা ঠাই পায় গৈ ময়ো পানীৰ প্ৰৱল সোঁতত খেৰ-কুটা উটি যোৱা দিলোঁ। সাঁতুৰিবলৈ চেষ্টা কৰি গাৰ সকলো শক্তি হেৰুৱালোঁ। পানী বৰ চেঁচা লগা যেন পাই আহিবলৈ ধৰিলো। হাত দুখনো অৱশ হৈ পৰিল। মনত মৃত্যুৰ বিভীষিকাই আহি থিতাপি ললে। কত শত দুৰ্ভগীয়াই যে এনেদৰে অকালতে এই লুইতৰ বুকুত প্ৰাণ এৰিছে আৰু কতনাই যে শিহু, ঘৰিয়ালৰ খাদ্য হৈছে সেই কথাই বুকুখন কঁপাই তুলিলে। ঘৰলৈ মনত পৰি, বন্ধু বান্ধৱলৈ মনত পৰি এটা দাৰুণ দুঃখে অন্তৰখন দহি নিব ধৰিছে। মনে মনে মৰিম বুলি নিশ্চয়ৰূপে ভাবিছোঁ। এনেতে কব নোৱাৰোঁ ইশ্বৰৰ কি ইচ্ছা, এডোখৰ ভাহি যোৱা কাঠত মোৰ হাতখন লাগিল। প্ৰাণৰ সকলো শক্তি প্ৰয়োগ কৰি কাঠ ডোখৰ সাবট মাৰি ধৰিলোঁ।

কাঠ ডোখৰে সৈতে ভাহি ভাহি অলপ পিছতে পানীৰ ঘূৰণিত পৰি পাৰত লাগিলোঁ গৈ। মোৰ সকলো জ্ঞানেন্দ্ৰিয় সজাগ আছে, মই সকলো কথা সুন্দৰে জানিছো কিন্তু মোৰ শৰীৰৰ শক্তি একেবাৰে লোপ পাইছে। অনেক চেষ্টা কৰিও কাঠ ডাল এৰি মই পাৰত উঠিব নোৱাৰিলোঁ। ভৰি হাত কাঠ যেন হৈছে। ভাগৰ লাগিয়ে হক নাইবা পানীৰ চেঁচা লাগিয়ে হক মোৰ অৱস্থা তেনেকুৱা হৈছে। মই একান্ত মনে পৰমেশ্বৰক স্তুতি কৰিছোঁ।

সূৰ্য্য অস্ত গৈছে। গৰু মানুহ ঘৰ চাপিছে। মানুহৰ গাৰ নোম মনিব নোৱাৰা হৈছে। এনেকুৱা সময়ত আচম্বিতে কাণত পৰিল এটি নামৰ সুৰ। মনতে ভাবিলো মোৰ মানসিক বিকৃতিৰ পৰাহে কিবা শুনিছোঁ। মনে প্ৰত্যয় নাযায়। পুনৰ শুনিলোঁ—সেই একে সুৰ যেন মোৰ কাষ চাপি আহিছে। সঁচাকৈয়ে ই মানুহৰ গীত। কেইজনীমান তিৰোতা আৰু ছোৱালী গীত গাই গাই পানী নিবলৈ আহিছে। ঘাটলৈ আহি পানী বুৰাব এনেতে মোক কাঠ ডালেৰে সৈতে তেনেকৈ দেখি মৰাশ বুলি চিঞৰি আটাইবিলাকে আঁতৰি গ'ল। কিন্তু কি ভাবি তাৰে এজনী ডেকেৰী ছোৱালীয়ে মোক কাঠ ডালেৰে সৈতে তেনেকৈ দেখিও মৰাশ বুলি ভয় নকৰি কাষলৈ

আহি জুমি জুমি চাবলৈ ধৰিলে। ময়ো মোৰ সকলো শক্তিৰে ইঙ্গিত দিবলৈ চেষ্টা কৰিলো যে মই মৰা নাই। হঠাৎ ছোৱালীজনীৰ চকু দুটি মোৰ চকুৰ ওপৰত পৰিল। বোধহয় মোৰ চকুৰ ভাৱ আৰু হাত ভৰি লৰ চৰ কৰা দেখি মোক জীৱিত বুলি জানিব পাৰিছিল।

তেওঁ বৰ উদ্বিগ্ন আৰু কৰুণ ভাৱে মোৰ হাত দুখনত ধৰি পাৰত তুলিবলৈ চেষ্টা কৰিলে কিন্তু তেওঁৰ সকলো শক্তিৰে মোৰ জঠৰ দেহাটি লৰাবলৈকেই সমৰ্থ নহল। আন কেজনী ছোৱালীৰে ধৰাধৰিকৈ পাৰত তুলিলে। নৈৰ পাৰৰ জাজি আৰু শুকান ইকৰা, বিৰিণা বিচাৰি আনি একুৰা জুই ধৰি দিলে।

জুইৰ তাপত লাহে লাহে মোৰ দেহাত তত চাপি আহিল। মই মাত বোল দিব পৰা হলো। তিৰোতা সকলৰ নাৰীসুলভ কোমল অন্তৰ মোৰ দুখত ব্যথিত হৈ পৰিছিল। মোৰ দুটোপা চকুলোৱে তেওঁলোকৰ মাতৃ হৃদয়ৰ সকলো সহানুভূতি আকৰ্ষণ কৰিলে। তেওঁলোকৰ অযাচিত অনুগ্ৰহতেই দুজন ডেকা আহি মোক গাঁৱৰ এঘৰ মানুহৰ ঘৰলৈ লৈ গ'ল। মোৰ কানি-কাপোৰ সলাই দি একুৰা জুই ধৰি দিলে। যদিও মোৰ শৰীৰ অৱশ হৈছিল তথাপি সাঁতুৰিব জনাৰ কাৰণেই পানী বেচিকৈ খোৱা নাছিলো। গতিকে পানী উলিয়াবৰ বিশেষ চেষ্টা আৰু কৰিবৰ দৰকাৰ নহল।

মোক যাৰ ঘৰত আশ্ৰয় দিয়া হ'ল তেওঁ এজন গাঁৱৰ আঢ্যৱন্ত মানুহ—নাম বিষয় চৌধুৰী। মানুহজন বৰ সৰলচিতীয়া আৰু ধৰ্ম্ম পৰায়ণ। মোৰ দুৰ্ভাগ্যৰ কাহিনী শুনি তেওঁ যথেষ্ট সহানুভূতি জনালে। সংসাৰত চৌধুৰীৰ লৰা-ছোৱালী, ভাই-ভতিজা কেবাটিও। মাজু ছোৱালী জনীৰ নাম চম্পা। সেই চম্পাৰ অনুগ্ৰহতে সেই দিনাৰ জীৱন্ত সমাধিৰ পৰা মই ৰক্ষা পাইছিলোঁ।

চৌধুৰী পৰিয়ালে মোৰ কাৰণে নথৈ যত্ন কৰিলে। বিছনাত পৰাৰ লগে লগে মোৰ তীৰ কঁপে জৰ উঠিল। গা কঁপিবলৈ ধৰিলে, মূৰ বৰকৈ কামুৰিলে, শৰীৰত অসহ্য বেদনা অনুভৱ কৰিলো। অসহনীয় যন্ত্ৰণাত চাটি-ফুটি কৰিলো। মুহূৰ্ত্ত এটাও এটা দিনৰ দৰে দীঘল যেন অনুমান হ'ল। সেই ৰাতি শৰীৰৰ উত্তাপ কিছু কমি যোৱাত নিদ্ৰা দেৱীৰ কৰুণা কটাক্ষ বোধহয় মোৰ ওপৰত এবাৰ পৰিছিল। খন্তেকৰ কাৰণে চিলমিলিয়াকৈ টোপনি আহিছিল।

তেতিয়া পূবেৰুণ দিছে। উষাৰ হেঙুলি আভা গোটেই পূব আকাশত বিৰিঙ্গি উঠিছে। দূৰৈৰ পৰা কুকুৰাৰ ডাক কাণত পৰিছে। ফেহুজালি আৰু ভোমৰাৰ গঞ্জনি গীতে প্ৰভাতৰ অনুভূতি প্ৰাণত জগাই দিছে। খঞ্জনী আৰু সহদেউ চৰাইৰ চিঞৰে নীৰৱতা ভঙ্গ কৰি মানুহক সচেতন কৰিবলৈ যত্ন কৰিছে। টোপনিৰ পৰা সাৰ পাই বিছনাতে চকুমুদি আকৌ টোপনি যাবলৈ চেষ্টা কৰিছো। এনেতে মূৰত কাৰোবাৰ হাতৰ স্পৰ্শ অনুভৱ কৰিলোঁ। চকু মেলি চাও যে চম্পা; মোৰ কাষতে থিয় হৈ আছে। কি স্নেহময়ী মূৰ্ত্তি, কি মধুৰ পৰশ, কি চকুৰ চাহনি। শৰতৰ শুভ্ৰ চন্দ্ৰমাৰ দৰে নিৰ্ম্মল আৰু সুন্দৰ চম্পাৰ চকুদুটি মই নীৰৱে চাই থাকিলোঁ। চকু মেলা দেখি চম্পাই সুধিলে "আপুনি গা ভাল পাইছেনে?" মই কলো "পাইছোঁ" তেওঁ সকৰুণ ভাৱে মোৰ মুখলৈ চাই থাকিল।

চম্পাৰ চকুৰ পৰা যেন এছাটি চেনেহৰ জোনাক মোৰ ওপৰত পৰিল। তেওঁৰ অযাচিত স্নেহ আৰু মৰমৰ কথা ভাবিবলৈ ধৰিলোঁ। মোৰ হেৰোৱা আইৰ স্মৃতি মনত উদয় হল। মোৰ অসুখত আয়ে কেনেকৈ খোৱা লোৱা এৰি উজাগৰে ওৰে ৰাতি কাষত পৰ দি কটাইছিল আৰু মোৰ আৰোগ্যৰ কাৰণে কেনেকৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। মনত পৰিল এৰাতি আইৰ বেমাৰত পৰ দিওতে তেওঁ মোৰ অসুখ হব বুলি ভয় কৰি "মই এতিয়া ভাল পাইছো, তই এতিয়া শুই থাক।" বুলি কৈ নিজে পৰিচৰ্য্যা নলৈছিল। সেই আইৰ অকাল মৃত্যুত কেনেকৈ মই হিয়া ধুনি কান্দিছিলো ইত্যাদি কথা মনত পৰি অলক্ষিতে মোৰ দুগালেদি দুধাৰি চকুলো বাগৰি পৰিল।

চম্পা মোৰ কাষতে আছিল। চকুলো ওলোৱা দেখি তেওঁ সকৰুণ ভাৱে মোক সুধিলে "আপুনি ইয়াত কিবা অসুবিধা পাইছে নেকি?" মই কলো "নাই পোৱা।" তেওঁ

আকৌ কিবা প্রশ্ন কবিব খুজিছিল যেন লাগিল। কিন্তু মোব চকুলো বেচিকেহে ওলোৱা দেখি একো নকলে। কেৱল আচলেবে লাহেকৈ মোব চকুলো চুধাবি মচি দিলে। মই আশ্বস্ত হলো।

কিন্তু চম্পাব চকুত মুকুতাব বিন্দু যেন চকুলো চুটোপা দেখি মই বিস্মিত হলো। এক অপবিচিত মানুহব চুখত কিমান গভীব সহানুভূতি ; কি অপূর্ব্ব স্নেহ !

ব'দ উঠিল। খুবাই-ধুবাই চৌধুবীয়ে মোক ঘবব বাটত আগ বঢ়াই গলে। আহিবব পবত চম্পাব সেই স্নেহময়ী মূর্ত্তি, চকুব কৰুণ চাহনিয়ে যে হৃদয়ব কিমান ঠাই অধিকাব কবিছিল তাক বর্ণাব নোৱাবো। ই আজি বহু দিনব ঘটনা তথাপি মোব অন্তবব অন্তবতম স্থানত সি এতিয়াও চিব নতুন, চিব শান্তি দায়ক।

পাগ্‌লাদিয়া

কবিতা] —শ্রীযুত অতুল চন্দ্র হাজৰিকা বি-এ

(১)

প্রকৃতি দেৱীব পাগলী ছোৱালী
কণহী পাগলাদিয়া—
মদনে গোপনে পিয়ালে মদিবা
উতলা কবিলে হিয়া।

(২)

জিলমিল গাব বাগবিছে পাব
উথলি উঠিছে বুকু।
ভবা যৌৱনব মহা পয়োভব
বিধিনি নেমানে এক্কো।

(৩)

বাবিষাব মেঘে মাদল বজায়
ববষি বাদল ধাবা ;—
বিজুলী বচকী চমকি থমকি
বঙতে আপোনহাবা।

(৪)

কণীয়াব আজি বলিয়া বুকুত
তড়িতব চিকিমিকি ;
গৌৰী শিখবক বিগলিত কবি
হিমানীব জিকিমিকি।

(৫)

কণক জুহুক নেপুব বজাই
দীঘল সুহবি মাবি—
আন যত সখী ভৈয়াম নামিছে
পর্ব্বতব কোলা এবি।

(৬)

সকলোৱে আজি কাছুটী এবিছে
তৰুণী মোহিনী সাজে
অনন্ত যৌৱন উপচি পবিছে
টিঙে টিঙে শিৰা বাজে।

(৭)

গাই কি ইঙ্গিত ভৈৰব-ভঙ্গীত
চৌদিশে খলক লাগে
পাগলাদিয়াব প্লাৱন-নৃত্যত
শঙ্কবে টোপনি ভাগে।

(৮)

আছে সুদূবত পবাণ-দেৱতা
বাজিছে মোহন বেণু,
অভিসাবিকাব আনন্দ অপাব
বাজিছে, মজিছে তনু।

(৯)

শুনি সি মুবলী পাবিছে কিবিলী
উকলীব অন্ত নাই—
হাবি-বন ভাঙি যায় বাহু দাঙি
গাঁও ভুই উটুৱাই।

(১০)

স্ববগতে থাকি বৰুণ-কন্যাই
অকণক চাকি ধবি
নোৱানীব পানী ঘটে ঘটে আনি
বাখিছে ভড়াল ভবি।

(১১)

গিবিকুমাবীব মঙল যাত্রাব
আজি শুভ ক্ষণ চাই
ঢালে ধাবাসাব অমৃতব ধাব
উলাহব গীত গাই।

(১২)

উটাই-বুবাই নোৱাই-ধুবাই
শিঙ্কাণে মোহিনী বেশ
এনেয়ে নাচনী তাতেই ধুবুনী
আউলি বাউলী কেশ।

(১৩)

ববণব মালা গাঁথি গিবিবালা
স্বোৱামী ববিব যায়,
লৰবি বাগবি চিঞৰি ভাগবি
অলপো আহবি নাই।

(১৪)

নেমানে প্রবোধ কোনে কবে বোধ
সংহাব মূবতি ধবে—
ফেনে ফোটোকাবে বয় শতধাবে
কলকল নিনাদেবে।

(১৫)

চুপাবব বালি ঘব-বাবী আনি
পথাব সমাব যেতি
একোকে নেচাই তল কবি যায়
বোৱাই ৰূপালি স্মৃতি।

(১৬)

ইকি বিভীষিকা ইকি প্রহেলিকা
ইকি সৌন্দর্য্যব মেলা—
দিগম্বৰে নিজে ডম্বক বজাই
পাতিছে প্রলয়-খেলা।

(১৭)

মিলন-মেলাব মাহেন্দ্র ক্ষণত
হে আই পাগ্‌লাদিয়া,
তোমাব তীবত বিভোব ভাবত
পুলকিত মোব হিয়া।

(১৮)

তোমাক ববশি উঠিছো হবষি
পবশি শীতল পাৱ,
যোৱা, আই যোৱা সেৱা এটি লোৱা
কৰ্ত্তব্যত আগুবাওঁ।

নাৰী আন্দোলনৰ নতুন অধ্যায়

—শ্ৰীযুত হৰেন্দ্ৰ নাথ বৰুৱা বি-এ,

পেটত তিৰোতাৰ সমাধিকাৰৰ সাধাৰণ ভাৱে সমৰ্থক যদিও এগৰাকী মহিলা বন্ধুৰ লগত সদায় ইয়াৰ বিৰুদ্ধ সমালোচনা কৰিছিলো আৰু তেনে কৰি ভাল পাইছিলোঁ। তেওঁ যিমান পাৰে দেশ বিদেশৰ তিৰোতাৰ কীৰ্ত্তি আৰু কৃতিত্বৰ কথা সংগ্ৰহ কৰি তিৰোতাৰ শক্তি সামৰ্থ্যৰ উদাহৰণ দি, মোক জব্দ কৰাৰ চেষ্টাত আছিল। স্পেইনত এগৰাকী তিৰোতা মন্ত্ৰীয়ে কেনে কৃতিত্বেৰে কাৰ্য্য চলাইছে, আমেৰিকাত কিমান তিৰোতা মেজিষ্ট্ৰেট হৈছে, ফ্ৰান্সৰ কেইগৰাকী তিৰোতাই আকাশী জাহাজ পৰিচালনত 'ৰেকৰ্ড' কৰিছে, জেকো-শ্লোভোকিয়াত হাজাৰ হাজাৰ গাভৰুৱে লগ লাগি কেনেকৈ শাৰীৰিক ব্যায়াম কৰি জাতীয় স্বাস্থ্যৰ উন্নতি কৰিছে, তিৰোতাৰ সমাধিকাৰৰ সমৰ্থন কৰি য়ুৰোপ-আমেৰিকাত কোনজন লিখকে আটাইতকৈ কি আধুনিক কিতাপখন লিখিছে—এইবিলাকৰ খবৰ সংগ্ৰহত তেওঁ সদায় ব্যস্ত। কিছু দিনৰ আগতো তেওঁ মোলৈ মিঃ এল্ডিংটন নামে এজন ইংৰাজ সাহিত্যিকে তিৰোতাৰ সমাধিকাৰ, বিশেষকৈ অৰ্থনৈতিক স্বাধীনতাৰ সমৰ্থন কৰি লিখা "Women must work' নামে এখন উপন্যাস পঠাইছিল।

কিতাপখন পঢ়ি অটাই তেওঁক সুধিছিলো—"Women must work" উপন্যাস খনত স্ত্ৰী স্বাধীনতাৰ যি ছবি আঁকি দেখুওৱা হৈছে, সম্ভ্ৰান্ত আৰু আত্ম-সন্মান-জ্ঞান সম্পন্না মহিলা হিচাপে তুমি সঁচাকৈয়ে তাক সমৰ্থন কৰিছানে? সঁচাকৈয়ে সি তোমাৰ কাম্য হৈছে নে? তুমি ভাৱিব পাৰা যে লিখকে এই কিতাপত তিৰোতাৰ অৰ্থনৈতিক স্বাধীনতা নিতান্ত আৱশ্যক বুলি প্ৰতিপন্ন কৰিছে; হয়তো সি সঁচা হবও পাৰে। কিন্তু ছবিটো কি এবাৰ মন কৰাচোন! পুৰুষৰ 'পৰাধীন হবলৈ অনিচ্ছুক হৈ এজনী অভিমানী বা স্বাধীনচেতা ছোৱালীয়ে নিজৰ জীৱিকা নিজে উপাৰ্জ্জন কৰিবলৈ সংকল্প কৰি গৈ লণ্ডন মহানগৰীত তিৰোতা বুলি পুতৌৰ পাত্ৰী হিচাপে এটি সামান্য চাকৰি পাইছে, খাবলৈ নটাত পিছত সেই কাম এৰি আন কামত অনাই-বনাই ফুৰিছে। ইয়াৰ ভিতৰত দুজন পুৰুষৰ লগত তেওঁৰ অবৈধ প্ৰণয় হৈছে, এজনৰ সংস্পৰ্শত এটি সন্তানৰ মাক পৰ্য্যন্ত হৈছে। তাৰ পিছত আকৌ আন এটি ব্যৱসায়ত হাত আৰু তাৰ দ্বাৰা অন্ন সংস্থান নোহোৱাত আকৌ লণ্ডনলৈ প্ৰত্যাগমন, এটা চাকৰিৰ যোগাৰ, আৰু তাৰ পিছতে এজন ডেকাৰ লগত বিয়া। কিন্তু তথাপি শান্তি নাই,—পুৰণি মূৰ্ত্তি আৰু নানান জল্পনা-কল্পনাই তেওঁক তেতিয়াও জুমুৰি দি আছে। আৰ্থিক অৱস্থা টনকীয়াল কৰাৰ চেষ্টাত তেওঁৰ যৌৱনৰ কেইবাবছৰো অতিবাহিত হোৱাৰ পিছতে সংসাৰ পাতিও শান্তি নাই—এই স্ত্ৰী স্বাধীনতা কি পুৰুষৰ তথাকথিত পৰাধীনতাতকৈ বেছি সুখকৰ, বেছি আদৰ্শনীয়? এই অৰ্থনৈতিক স্বাধীন জীৱন কি পুৰুষৰ প্ৰাণৰ সহধৰ্ম্মিনীৰ জীৱনতকৈ বেছি সাৰ্থক? মই অন্ততঃ তেনে বুলি নাভাৱোঁ। অৱশ্যে লিখকে তিৰোতা গৰাকীৰ জীৱন ইয়াতকৈ বেছি সফলকাম আৰু বেছি সুখকৰ কৰিও আঁকি দেখুৱাব পাৰিলেহেঁতেন বুলি তুমি কব পাৰা। কিন্তু, তেতিয়া হলে সি অস্বাভাৱিক হলহেঁতেন। বৰ্ত্তমান চৰিত্ৰটি আদৰ্শস্থানীয় নহলেও স্বাভাৱিক হৈছে। তিৰোতাৰ অৰ্থনৈতিক স্বাধীনতাৰ জিদৰ বিষময় ফল স্বৰূপ জীৱন অঙ্কন কৰা উপন্যাসো মই দিব পাৰো। লাগিলে লিখিবা।"

ইয়াৰ পিছত বন্ধু গৰাকীৰ কোনো উত্তৰ পোৱা নাই। বোধহয় তেওঁ এতিয়া মোক জব্দ কৰিবলৈ নতুন যুক্তি,

নতুন সম্বল সংগ্ৰহত ব্যস্ত। ইফালে উক্ত কথাখিনি কলো যদিও মনে নসয়; মই Mill's "Subjection of women" revise কৰাত ৰত।

এদিন আমাৰ এগৰাকী সুশিক্ষিতা আৰু তেজস্বিনী মহিলাই কোনো এটা কাৰণত আমাৰ আগত এইদৰে ক্ষোভ প্ৰকাশ কৰিছিল।—"আমাৰ অশিক্ষিত আৰু নিঃকিন দেশত এইবোৰ কলা-বিদ্যা চৰ্চ্চা কৰাৰ আগেয়ে তিৰোতা জাতিৰ আৰু দেশৰ অন্যান্য উন্নতি হোৱাহে উচিত বুলি মই ভাৱো। কিন্তু মোৰ সেই বুলি অসমৰ উদাৰ বোলোৱা পুৰুষ সকলৰ প্ৰতি ঘিণ লাগিছে। তেওঁলোকে আমাক গছত তুলি দি গুৰি কাটি দিয়াৰ নিচিনা কাম কৰে। তেওঁলোকে আমাক শিক্ষা বা উদাৰতাৰ নামত কোনো এটা কামলৈ আগ বঢ়াই দিয়ে—সেইটো কাম কৰিবলৈ নিদিলে আমি বেয়া পাম বুলি, আৰু হয়তো তেওঁলোকেও আমাক সেই কাম কৰা দেখিবলৈ ভাল পায় বুলি;—আমাৰ অধিকাৰ বুলি নহয়। সকলো স্বাৰ্থপৰ! ছোৱালী কিজনীৰ কামৰ যেতিয়া ইমান চোকা সমালোচনা হ'ল, তেতিয়া তাৰ ভাল প্ৰতিবাদ এটা লিখি দিবলৈ কলত এই উদাৰ পুৰুষসকলৰ কোনোবাজনে পিছ হোঁহোকা মাৰিলে, কোনোবাজনে বহুত হোইকা-পিচলা খেলি শেহত লিখিলে—'মহিলা সকলৰ কাৰ্য্য এনে ভাষাৰে সমালোচনা কৰিব নাপায়। তিৰোতাসকল বৰ ভাৱপ্ৰৱণ। তেওঁলোকে দোষ কৰিলেও তেওঁলোকক লাহে ধীৰে, আল ফুলকৈ তেওঁলোকৰ দোষ বুজাই দিব লাগে বুলি অমুক চাহাবে কৈছে; ইত্যাদি।' অৰ্থাৎ তেওঁলোকৰ দোষ হলেও হব পাৰে; কিন্তু তেওঁলোক মাইকী মানুহ, দুৰ্ব্বলা আৰু ভাৱপ্ৰৱণা। গতিকে তেওঁলোকক পুতৌ কৰিব লাগে; টান কথা কব নালাগে। ই তিৰোতাৰ কম সমৰ্থন নে? ই কম প্ৰতিবাদ নে? তাতো আকৌ নিজৰ নামটো প্ৰকাশ নকৰে। সকলো স্বাৰ্থপৰ!"

কথাখিনিত ইমান যুক্তি দেখিছিলোঁ আৰু তিৰোতাৰ প্ৰকৃত অৱস্থা আৰু তিৰোতাৰ শিক্ষা সম্বন্ধে এই বিদুষী মহিলা গৰাকীয়ে এনে এটা নিৰ্ভুল ধাৰণা লব পাৰিছে বুলি ভাৱিছিলো যে মই পুৰুষ সকলৰ হৈ ওকালতি কৰাটো দূৰৰ কথা, তেখেতৰ কথা সমৰ্থন হে কৰিছিলো আৰু তেখেতৰ প্ৰতি শ্ৰদ্ধা হৈছিল। ভাৱিছিলোঁ কথাবোৰ কিছুদূৰ অতিৰঞ্জিত হলেও সাধাৰণতঃ সত্য। আজি কেইখন দেশত পুৰুষসকলে স্বেচ্ছাতে তিৰোতাসকলৰ প্ৰাপ্য হিচাপে তেওঁলোকৰ আৰ্থিক স্বাতন্ত্ৰ্য, ৰাজনৈতিক শিক্ষ, ৰাষ্ট্ৰীয় পদবী, ৰাজকীয় চাকৰি-বাকৰি আগ বঢ়াইছে? কোন দেশৰ পুৰুষে আজি তিৰোতাসকলৰ পুৰুষৰ সৈতে সকলো বিষয়তে সমানাধিকাৰ স্বেচ্ছাতে মানি লৈছে? বাস্তৱিক, পুৰুষসকলে নোৱাৰাত আৰু তেওঁলোকক সন্তুষ্ট কৰিবৰ কাৰণেহে যি অলপ কৰিছে।

কিন্তু জাৰ্ম্মাণি আৰু ইটালিত তিৰোতাসকলৰ প্ৰতি যেনে ব্যৱহাৰ কৰা হৈছে আৰু তিৰোতা সকলেও স্বেচ্ছাতে যি আন্দোলন সমৰ্থন কৰিছে, তালৈ চাই উক্ত মহিলা গৰাকীয়ে পুৰুষৰ ওপৰত কৰা অভিযোগৰ বিপৰীত অভিযোগ তিৰোতাসকলৰ সম্বন্ধে কৰিবৰ মন যায়। সিদিনা উপৰোক্ত মহিলা বন্ধু গৰাকীলৈ লিখিছো:—

"ইটালি আৰু জাৰ্ম্মাণিত নাৰী আন্দোলনৰ বৰ্ত্তমান অৱস্থালৈ চাই মই ভাৱিবলৈ বাধ্য হৈছোঁ যে তোমালোকৰ তিৰোতা জাতিটোৰ কোনো এটা স্থিৰ নীতি (principle) নাই। তোমালোকে যে পুৰুষৰ সৈতে সকলো বিষয়তে সমানাধিকাৰ বিচাৰা, তোমালোকৰ সেইবিষয়ত স্বাভাৱিক অধিকাৰ আছে আৰু তোমালোক তাৰ কাৰণে উপযুক্ত বুলি নহয়—মাত্ৰ হুজুগতহে আৰু পুৰুষসকলৰ মতি-গতি বুজিহে। অৰ্থাৎ পুৰুষসকলে তোমালোকৰ দাবি মানি লোৱাটো সম্ভৱ যেন দেখিলেই আৰু সেই দাবি কৰাত তেওঁলোক বিৰক্ত নহব যেন দেখিলেই তোমালোকে তেনে আন্দোলন কৰা। কিন্তু পুৰুষসকলে তোমালোকৰ দাবিত বিৰক্ত হব যেন দেখিলেই তোমালোকে সেই আন্দোলন প্ৰত্যাহাৰ কৰি পুৰুষসকলৰ ৰুচিমতে চলিবলৈ তৎক্ষণাৎ সম্মত হোৱা। অৰ্থাৎ তিৰোতাসকলে মাত্ৰ পুৰুষৰ ৰুচিমতেই কাম কৰে। বৰ উলাহেৰে আৰু তিৰোতা জাতিৰ কৰ্ম্মশক্তিৰ ওপৰত বৰ বিশ্বাস কৰি তিৰোতাৰ সমানাধিকাৰৰ দাবি প্ৰায় সম্পূৰ্ণৰূপে সমৰ্থন

কৰি আহিছিলো। কিন্তু জাৰ্ম্মাণিৰ তিৰোতাসকলৰ কাৰ্য্যই বৰ্ত্তমান মোক হতাশ কৰিলে" ইত্যাদি।

সকলো বিষয়তে পুৰুষসকলৰ সৈতে সমান প্ৰগতিবাদী ইটালি আৰু জাৰ্ম্মাণিৰ নাৰী আন্দোলনে বৰ্ত্তমান একেবাৰে সুকীয়া আকাৰ ধাৰণ কৰিছে। জাৰ্ম্মাণিৰ অধিনায়ক হাৰ হিটলাৰে নিজৰ ঘৰৰ বাহিৰে বহিৰ্জ্জগতত তিৰোতাসকলৰ কৰ্ম্মক্ষেত্ৰৰ অধিকাৰ স্বীকাৰ নকৰে। তেওঁ দেশৰ চৰকাৰী বে-চৰকাৰী—কোনো কাম কাজত তিৰোতা থকা দেখিব নোৱাৰে। তেওঁ বহুত বিষয়তে পুৰুষৰ সৈতে তিৰোতাৰ সমানাধিকাৰৰ দাবি সমূলি সমৰ্থন নকৰে। আন কি ছোৱালী স্কুলবিলাকতো ছোৱালী বিলাকক তিৰোতা শিক্ষয়িত্ৰীৰ হতুৱাই শিক্ষা দিয়াবলৈ নাপালে তেওঁ ভাল পায়। তেওঁৰ মতে ছোৱালীহঁতকো উপযুক্ত শিক্ষা দিয়াৰ ভাৰ পুৰুষসকলেই লোৱা উচিত। ছিনেমা আৰু ডান্সিং হলৰ দুৱাৰো তেওঁ তিৰোতাসকলৰ কাৰণে বন্ধ কৰিবলৈ তৎপৰ হৈছে। কাৰণ তেওঁৰ মতে এইবোৰ উপকৰা বিলাস-আমোদ আৰু ইয়াৰ পৰা তিৰোতা সকলৰ আৰু লগে লগে সমগ্ৰ জাতিৰ আৰু ৰাষ্ট্ৰৰ অনিষ্ট হৈছে।

হিটলাৰে তিৰোতাসকলৰ কাৰণে একমাত্ৰ ঘৰখনৰ ভিতৰতে কৰ্ম্মক্ষেত্ৰ নিৰ্দ্দিষ্ট কৰিছে। তিৰোতাসকলৰ কাৰণে তেওঁৰ বাণী হৈছে—"Back to your home." "Back to the kitchen"—"ঘৰলৈ ঘূৰা," "ৰান্ধনি ঘৰলৈ ঘূৰি আহা।" ইয়াৰ লগতে "সৱল, সুস্থ সন্তানৰ জননী হোৱা," "বীৰ প্ৰসৱিনী হোৱা," "ঘৰখন শৃঙ্খলা লগাই ৰাখা," "পুৰুষ-বিলাকক বাহিৰৰ পুৰুষোচিত কাৰ্য্যত উদ্গণি দিয়া" প্ৰভৃতি কথাত লাগি আছে। বিয়া কৰাবলৈ ধন নাইকিয়া যুৱতীক (অৱশ্যে লগতে যুৱককো) হিটলাৰে বিনা সুদে বিয়া কৰাবলৈ ধন ধাৰে দিছে। এনে বিয়া উৎসৱবিলাকত কেতিয়াবা তেওঁ নিজে যোগ দি নব-দম্পতীক "বাঃ বাঃ" দিছে। আনহাতে অতিবাহিত যুৱক-যুৱতীসকলৰ ওপৰত হিটলাৰে এটা টেক্স বহুৱাইছে। (হিটলাৰ নিজেও অবিবাহিত, গতিকে তেওঁ নিজে এই টেক্স' দিয়ে নে নিদিয়ে অৱশ্যে কব নোৱাৰো) তিৰোতাসকলৰ অৰ্থনৈতিক স্বাধীনতা (চাকৰি আদি কৰা) খৰ্ব্ব কৰাৰ ফলত তিৰোতাসকলৰ ওপৰত যাতে পুৰুষ সকলে অন্যায় প্ৰভুত্ব কৰিবলৈ নাপায় আৰু খোৱা-লোৱা, সুখ-স্বাচ্ছন্দ্য ভোগ বিষয়ত তিৰোতাসকল যেন পুৰুষসকলৰ দ্বাৰা বঞ্চিত নহয়, সেইফালে অৱশ্যে হিটলাৰে খুব চকু ৰাখিছে। তিৰোতাৰ ওপৰত অত্যাচাৰ কৰা পুৰুষৰ প্ৰতি আজি হিটলাৰৰ গৱৰ্ণমেণ্টে অতি গুৰুতৰ শাস্তি বিধান কৰিছে। পাৰিবাৰিক জীৱনতো তিৰোতাৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰা গিৰীয়েক বা আন অভিভাৱক পুৰুষৰ প্ৰতি আজিকালি হিটলাৰৰ গৱৰ্ণমেণ্টে বিহা শাস্তি আগতকৈ বেছি কঠোৰ। কিন্তু সেয়ে হলেও এই লিখকে ভাৱে যে অৰ্থনৈতিক স্বাধীনতা যদি তিৰোতাসকলৰ অপৰিহাৰ্য্য অধিকাৰেই হয়, তিৰোতাসকলে যদি অৰ্থনৈতিক স্বাধীনতা তেওঁলোকৰ নায্য অধিকাৰ হিচাপেই দাবি কৰে; তেন্তে হিটলাৰৰ এই সু-ব্যৱস্থাও তেওঁলোকে তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ বিনিময় বুলি গ্ৰহণ কৰা উচিত নহয়। "A good goverment cannot be a substitute for self-goverment." কিন্তু ক'তা? জাৰ্ম্মাণিৰ তিৰোতা-সকলেতো হিটলাৰৰ এই নতুন ব্যৱস্থাৰ একো প্ৰতিবাদ কৰা নাই? কৰবাৰ পৰা কেতিয়াবা ডান্সিং হলত গৈ নাচ-গান কৰাৰপৰা আমাৰ স্বাস্থ্য ভালে থাকিব, গাত বল শক্তি হ'ব" বুলি এটা ক্ষীণ তিৰোতাৰ কণ্ঠস্বৰ ওলাইছে যদিও হিটলাৰে কয়—"নালাগে মোৰ আই! সেইখিনি স্বাস্থ্য ঘৰৰ আন কাম-বন কৰিলেও হ'ব; কিম্বা ছোৱালী-বিলাকৰ স্কুলত ব্যায়াম শিক্ষা, আৰু বয়সস্থা বিৱাহিতা সকলে ঘৰতে ব্যায়াম কৰিলেও সেইখিনি স্বাস্থ্য হ'ব।" আন এটি ক্ষীণ কণ্ঠস্বৰে কেতিয়াবা ক'ব খোজে—"আমি তিৰোতাসকল পুৰুষতকৈ কেতিয়াও হীন নহওঁ। পুৰুষসকলৰ নিচিনাকৈ ৰাজকীয়, ব্যৱসায়িক আৰু ৰাজনৈতিক বিভিন্ন কাম আমিও দক্ষতাৰে চলাব পাৰোঁ।" হিটলাৰে উত্তৰ দিয়ে—"হয় নাৰী, তুমি অতি মহিমাময়ী; তুমি অতি শক্তিশালিনী, তুমি অনন্ত গৌৰৱৰ অধিকাৰিণী। কিন্তু তোমাৰ সেই মহিমা-গৰিমা প্ৰকাশ কৰিবৰ উপযুক্ত ঠাই ঘৰ খনহে। নালাগে চাকৰি কৰিব, নালাগে ছটা

ৰাজনৈতিক পদবী ল'ব। তুমি তাতকৈ বেছি গৌৰৱান্বিতা হব পাৰিব—ঘৰখন শৃঙ্খলাৰে চলাই আৰু বীৰ সন্তানৰ জননী হৈ—ঘৰখনৰ সম্বন্ধে তোমাৰ স্বামীক নিঃশ্চিন্ত কৰি। ইয়াৰ দ্বাৰা তুমি নিজেও গৌৰৱান্বিতা হবা আৰু দেশকো বেছি গৌৰৱান্বিতা কৰিবা।" খতম্, ইয়াৰ ওপৰত আৰু একো বইছ-বাইছ নাই।

এইদৰে কৰবাত হিটলাৰৰ কাৰ্য্যত আপত্তিমূলক এটি মাত ওলালেও হিটলাৰে সেইবোৰ উপেক্ষা কৰি তিৰোতা সকলৰ কাৰণে নতুন নতুন কঠোৰ ব্যৱস্থা কৰিব লাগিছে। বহুতে কয়, হিটলাৰ বৰ কঠোৰ হিয়াৰ; অবিবাহিত থকাৰ কাৰণেই হিটলাৰে তিৰোতাৰ কোমল অন্তৰৰ অনুভূতি হৃদয়ঙ্গম কৰিব নোৱাৰি তেওঁলোকৰ প্ৰতি এনে কঠিন ব্যৱস্থা কৰিব লাগিছে। কিন্তু হিটলাৰৰ কাৰ্য্যৰ বিৰুদ্ধে আজি তিৰোতাসকলৰ সঙ্ঘবদ্ধ বা সমবেত নিবেদন এটাও দেখিবলৈ পোৱা নাযায় কিয়? হিটলাৰে তেওঁৰ নতুন ব্যৱস্থা চলাবলৈ অলপো প্ৰতিবন্ধক পাব লগা হোৱা নাই। আনকি হিটলাৰক তিৰোতাসকলে অলপো বেয়া পাইছে বুলিয়েই কবৰ উপায় নাই। বৰং তিৰোতাসকলৰ মাজত হিটলাৰ বেছি প্ৰিয় আৰু সমাদৃত হোৱাহে দেখিবলৈ পোৱা গৈছে। হিটলাৰে যেতিয়া সভাত বক্তৃতা দিয়ে, তাত বহুত সময়ত মুনিহতকৈ তিৰোতা দৰ্শকৰ সংখ্যা বেছি হয় আৰু হিটলাৰে মুনিহৰ সমৰ্থনতকৈ হাজাৰ হাজাৰ তিৰোতাৰ সম্বৰ্দ্ধনা ধ্বনি আৰু চাপৰি বেছি পায়। হিটলাৰে যেতিয়া করুণ আৰু আবেগময়ী ভাষাৰে বক্তৃতা দিবলৈ ধৰে, তেতিয়া শ শ জাৰ্ম্মাণ ৰমণীয়ে উচুপিবলৈ ধৰে। শ শ ঐশৰ্য্যশালিনী ৰমণীয়ে (মিছ গাৰ্টৰুড ছিডলীজ, হেলেন বেষ্টন প্ৰভৃতি) এই আন্দোলনত হিটলাৰক প্ৰবলভাৱে সহায় কৰিছে। যোৱা প্ৰেছিডেণ্ট-নিৰ্ব্বাচনত হিটলাৰক পুৰুষতকৈ মহিলাসকলে সৰহ ভোট দিছে! এই বিলাকে সূচায় কি?

ইটালিতো তিৰোতাসকলক জাৰ্ম্মাণিৰ দৰেই ব্যৱহাৰ কৰা হৈছে। কবলৈ গলে হিটলাৰে এই আন্দোলনত মুছলিনীৰ পৰাই প্ৰেৰণা পাইছে। পিছে হিটলাৰে যেনিবা মুছলিনীতকৈও এখোপ চৰি গৈছেগৈ। ইটালিতো স্ত্ৰী-স্বাধীনতা আন্দোলনৰ প্ৰতিকূল আন্দোলন আচৰিত ভাৱে বিস্তাৰ হৈছে। জাৰ্ম্মাণিত বৰলা আৰু "কাঠ চিতীয়া" হিটলাৰৰ ভয়ত তিৰোতাসকলে তেওঁৰ আন্দোলনৰ ওচৰত মূৰ দোৱাইছে বুলি ধৰি ললেও, ইটালিত মুছলিনীয়ে এই আন্দোলনত ইমান প্ৰবল সমৰ্থন পাইছে কিয়? মুছলিনী বিবাহিত বয়সস্থ মানুহ; তেওঁৰ লৰা-ছোৱালীও এপাল, কিন্তু মুছলিনীৰ দেশতো তিৰোতাসকলে ৰাজনৈতিক অধিকাৰ, চাকৰি বাকৰি আদিৰ কাৰণে অভিযোগ কৰা নাই। আন কি মুছলিনীৰ ভাৰ্য্যাকো কোনো সামাজিক বা ৰাষ্ট্ৰীয় পৰ্ব্ব-উৎসৱ বা অনুষ্ঠানত বৰকৈ যোগ দিয়া দেখা নাযায়। অথচ মুছলিনীৰ ভাৰ্য্যাক আজি ইটালিৰ এগৰাকী অতি বিচক্ষণা আৰু প্ৰতিভাশালিনী মহিলা বুলি ইটালিবাসীয়ে বিশ্বাস কৰে। কাৰণ তেওঁ আজি মুছলিনীৰ সুনিপুণা গৃহৰাণী। কোনো দিনে তেওঁৰ লগত মুছলিনীৰ কিবা উল্লেখযোগ্য খৰিয়াল হৈছে বুলি জনা নাযায়। ঘৰত তেওঁৰ পৰা মুছলিনীয়ে তেওঁৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক কাৰ্য্যত উৎসাহ উদগণি পাইছে বুলি মুছলিনীয়ে গৌৰৱ কৰে। ইটালি আৰু জাৰ্ম্মাণিত আজি নাৰী প্ৰতিভাৰ বিচাৰ কৰা যায়—তিৰোতাই কৃতকাৰ্য্যভাৱে চৰকাৰী চাকৰী কৰা লৈ নহয়, তিৰোতাই ৰাজনৈতিক পদবী লাভ কৰা লৈ নহয়; আনকি তিৰোতাই উচ্চ জ্ঞান-বিজ্ঞানৰ সাধনা কৰিব পৰা লৈও নহয়। তাত তিৰোতাৰ প্ৰতিভাৰ বিচাৰ কৰা হয়—তেওঁলোকে কোনে ঘৰখন কিমান পৰিপাটিকৈ চলাব পাৰিছে, কোনে কেইটা সৱল সুস্থ, বীৰ সন্তানৰ জননী হব পাৰিছে, কোনে বিশিষ্ট পুৰুষৰ ঘৈণী হ'ব পাৰিছে—সেই কথা লৈহে।

পুৰুষৰ সৈতে সকলো বিষয়তে সমাধিকাৰবাদী, পুৰুষৰ সৈতে সমানে ফেৰ মাৰিবলৈ যোৱা তিৰোতাসকলক হিটলাৰ, মুছলিনীয়ে এইদৰে ঘৰলৈ ঘূৰাই অনাৰ নৈতিক আৰু দাৰ্শনিক ভিত্তি কি? এই প্ৰশ্নৰ উত্তৰ তলত দিয়া উক্তি কেইটাৰ পৰাই পাব পাৰি।

হিটলাৰৰ বিশ্বাস যে দোকান-পোহাৰ, হোটেল, আফিছ, কাৰখানা আদিত পুৰুষ আৰু তিৰোতাৰ অবাধ মিলন, যুৱক-যুৱতীৰ মাজত নগ্ন-আন্দোলন, ছিনেমা-বায়স্কোপৰ অৰ্দ্ধ-নগ্ন আৰু যৌন প্ৰবৃত্তি জাগক চিত্ৰ, শৰীৰ চৰ্চ্চাৰ নামত পাতল আৰু তাকৰীয়া বস্ত্ৰ পৰিধান, একেলগে নাচ-গান, অতিৰিক্ত ভাৱে এছেন্স-পাউডাৰ আদি বিলাসী প্ৰসাধন ব্যৱহাৰ, তিৰোতাৰ অবাধ পৰিভ্ৰমণ, যৌন শিক্ষাৰ প্ৰচাৰ—এইবিলাকে পুৰুষ তিৰোতা দুয়ো পক্ষৰে অনিষ্ট সাধন কৰিছে। নৈতিক শক্তিৰ অৱনতি ঘটাই ব্যভিচাৰক প্ৰশ্ৰয় দিছে, কিছুমান সোপা-ঢিলা, অকামিলা, দুৰ্ব্বল আৰু ভাৱপ্ৰৱণ জীৱৰ সৃষ্টি কৰিছে। কঠোৰ, প্ৰতিযোগিতামূলক কৰ্ম্মময় জীৱনৰ প্ৰতি, দুঃসাহসিক কাৰ্য্যৰ প্ৰতি, অকল তিৰোতাসকলকে নহয়—পুৰুষ সকলকো অকামিলা কৰি তুলিছে।

জাৰ্ম্মাণ প্ৰধাৰ মন্ত্ৰী ডাঃ গবেলছ' এ সিদিনা এখন নাৰী সম্মিলনীত ঘোষণা কৰিছে—"আমি তিৰোতাসকলক বাহিৰৰ জীৱন পৰিত্যাগ কৰিবলৈ আহ্বান কৰিছোঁ। বাহিৰ তিৰোতাৰ কাৰণে নহয়। প্ৰকৃতিয়েই তেওঁলোকক ঘৰৰ ভিতৰৰ কাৰণে সৃষ্টি কৰিছে—যি ঘৰৰ পৰা পুৰুষ সকলে বহিৰ্জ্জগতৰ যুদ্ধৰ কাৰণে প্ৰেৰণা পাব, সেই ঘৰৰ কাৰণে।...বীৰৰ স্বাৰ্থ-ত্যাগ আৰু আত্মদানৰ নীতিত পুৰুষেই সন্তানক উৎকৃষ্টতৰ শিক্ষা দিব পাৰে।" গতিকে তিৰোতাই সন্তানৰ শিক্ষাৰ কাৰণেও বৰকৈ ভাৱিব নালাগে। মাত্ৰ ভাল গৃহিণী হব লাগে?

বিখ্যাত জাৰ্ম্মাণ মহিলা গিডা ডিকল্ এ (Gida Dichl) কৈছে—"সেৱাৰ দ্বাৰা পুৰুষসকলক যুদ্ধৰ কাৰণে অনুপ্ৰাণিত কৰি তুলিবলৈ নাৰীয়ে সহায় কৰা উচিত। জীৱনৰ বাস্তৱ আদৰ্শৰ পৰা পুৰুষক ভ্ৰষ্ট কৰিবৰ কাৰণে তিৰোতাৰ যি চকুৰ পানী ওলাব খোজে, তাক তৎক্ষণাৎ মচি পেলাব লাগে। অলঙ্কাৰ আৰু বিলাসময় সাজ পাৰৰ দ্বাৰা কৰ্ত্তব্যপৰায়ণ পুৰুষসকলক কৰ্ম্মচ্যুত কৰা তিৰোতাসকলৰ উচিত নহয়।"

অধ্যাপক আলফ্ৰেড বোয়েমনাৰে কৈছে—"যি যুৱক সদায় ঘৰৰ ভিতৰতে আছে তেওঁ জীৱনত যুদ্ধৰ উপযোগী নহয়; তেওঁৰ ঠাই মাত্ৰ সমাজতেহে। সুসজ্জিত বিলাস-ভৱনত যি যুৱক থাকে, তেওঁলোকে অতি মাৰাত্মক। "সস্তা" যুৱতীসকলে আহি তেওঁলোকৰ মনোৰঞ্জন কৰে আৰু এই বেচেৰাইতে নুবুজে যে এই প্ৰকাৰৰ জীৱনযাত্ৰাত একমাত্ৰ কোমল বৃত্তিবিলাক আৰু শান্তি-প্ৰিয়তাই তেওঁলোকৰ মনোৰাজ্য দখল কৰে। কঠোৰ বাস্তৱতাৰ ৰূপ ঘৰত নাই, সুন্দৰকৈ সজাই পৰাই থোৱা বিলাস ভৱনত নাই; তাক কেৱল শক্তিমন্ত পুৰুষসকলৰ সম্মিলনত আৰু সমৰক্ষেত্ৰতহে পোৱা যায় ...।" এই অধ্যাপকৰ আজি কালি তিৰোতাই ভাল পাবৰ কাৰণেই তিৰোতাৰ প্ৰবৃত্তিমূলক সাহিত্য আৰু আমোদ উপভোগমূলক নানান অনুষ্ঠানৰ সৃষ্টি হৈছে। এইবোৰ জাতিৰ পক্ষে ভয়ানক অনিষ্টকৰ। এই কথাৰ কিবা সত্য আছেনে? গোটেই পৃথিৱীত আজি দেখোন তিৰোতাজাতিৰ অভিযোগ—তেওঁলোকক পুৰুষসকলে অন্যায়ভাৱে হেঁচি ধৰি আছে। ক'ত তিৰোতাসকলক পুৰুষসকলে অযথা মূৰত তুলি থৈছে? কি ৰত্নৰ ভাণ্ডাৰটো পুৰুষে তিৰোতাৰ হাতত অৰ্পি দিছে?

কিন্তু হলেও কি হ'ব? জাৰ্ম্মাণি আৰু ইটালিত এই আন্দোলনে তিৰোতাপক্ষৰ পৰাই যি বিপুল সমৰ্থন পাইছে, তালৈ চাই আমি বিমোৰত পৰিছোঁ। এইটোৱেই যদি সকলো দেশৰ তিৰোতাৰ সাধাৰণ মনোবৃত্তি হয়, তেন্তে তিৰোতাৰ সমাধিকাৰৰ আন্দোলনৰ সাৰ্থকতা ক'ত?

মহিলা জগত



পৃথিৱীৰ আটাইতকৈ শক্তিশালিনী মহিলা ব্যায়ামবীৰ মিছ আই, ভি ৰাছেল—এগৰাকী ক্ৰয়ডনৰ মহিলা। এখেতে ব্যায়াম চৰ্চ্চাৰে মাংসপেশীৰ অভিনৱ উৎকৰ্ষ সাধন কৰি যথেষ্ট শক্তি লাভ কৰিছে। মালযুদ্ধ আৰু ভাৰোত্তোলনতো তেখেতৰ বিশেষ খ্যাতি। পৃথিৱীৰ সকলো মহিলাতকৈ তেখেতে শক্তিশালিনী বুলি দাবি কৰে।

সম্পাদকীয়

ঐতিহাসিক অনুসন্ধানত অসমৰ লগত ভাৰতৰ যোগসূত্ৰ স্থাপন

যোৱা জুনৰ ৮, ৯, ১০ তাৰিখে অখিল ভাৰতীয় আধুনিক ইতিহাস পৰিষদৰ (All India Modern History Congress) যি প্ৰথম অধিবেশন পুনা নগৰত পতা হৈছিল তাত অসমৰ প্ৰতিনিধি আছিল অসমৰ 'হিষ্টৰিকেল এণ্ড এণ্টিকোৱেৰিয়ান ষ্টাডিজ বিভাগ'ৰ ডিৰেক্টৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল ডাঙৰীয়া। এই আধুনিক ইতিহাস পৰিষদৰ উদ্দেশ্য ভাৰতত মুছলমান অভিযানৰ পৰা আৰম্ভ কৰি বৃটিছ অহা লৈকে বিশদভাৱে আৰু বৈজ্ঞানিক প্ৰণালীৰে বুৰঞ্জীৰ আলোচনা কৰা আৰু এই ক্ষেত্ৰত অনুসন্ধান কৰা পণ্ডিত সকলক একেলগে গোট খুৱাই পৰস্পৰৰ কাৰ্য্যাৱলীৰ সুফল পৰস্পৰে লাভ কৰিবলৈ সুবিধা দিয়া। পৰিষদৰ উদ্দেশ্যৰ বিষয়ে ১৯৩৪ চনৰ চেপ্টেম্বৰ মাহত যি বুলেটিন প্ৰকাশ হৈছিল তাত লিখা হৈছে—'আধুনিক যুগৰ ভাৰতৰ ইতিহাসৰ বিষয়ে জানিবৰ কাৰণে মহাৰাষ্ট্ৰা 'বাখৰ'ৰ (বুৰঞ্জী) লগত অসমীয়া বুৰঞ্জীবোৰে সমানে প্ৰতিযোগিতা চলাইছে অৰ্থাৎ দুয়োবিধ উপাদান সমানে মূল্যৱান।'

এই পৰিষদৰ লগত অসমৰ বুৰঞ্জীৰ যোগসূত্ৰ স্থাপনেই নহয় অসম বুৰঞ্জীৰ উজ্জ্বল আভা পৰিষদৰ চকুত পেলাই দিয়া বিষয়ত একাণপতীয়া বুৰঞ্জীৰ সাধক শ্ৰীযুত ভূঞা দেৱৰ চেষ্টা প্ৰসংশনীয়। তেখেতে পৰিষদৰ প্ৰথম অধিবেশনত 'অসমবীৰ লাছিত বৰফুকনৰ বিষয়ে যি প্ৰবন্ধ পাঠ কৰিছিল আৰু 'ভাৰতত অসমৰ স্থান' শীৰ্ষক এটি বক্তৃতা দিছিল তাৰ দ্বাৰা তেখেতে অসমৰ অমূল্য বুৰঞ্জী সম্পদলৈ ভাৰতীয় সুধী বৃন্দৰ দৃষ্টি আকৰ্ষণ কৰাব পাৰিছে।



অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ বি-এল

অসমৰ ঐতিহাসিক অনুসন্ধানৰ বিষয়ে অধ্যাপক ভূঞাদেৱলৈ ডাঃ ছালেটোৰৰ চিঠি

পুনাৰ ছাৰ পৰশুৰামভাও কলেজৰ ইতিহাস আৰু অৰ্থনীতিৰ অধ্যাপক ডাক্তাৰ বি, এ, ছালেটোৰ (Dr B. A. Saletore, M. A. Ph. D. D. Phil)

মহোদয়ে, অসমৰ "বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ" ডাইৰেক্টৰ শ্ৰীযুত সূর্য্যকুমাৰ ভূঞাদেউৰ ৩০জুন তাৰিখৰ চিঠিত লিখিছে,—

"আপোনালোকৰ ডিপার্টমেণ্টৰ ২নং বুলেটিন্ এখন মোলৈ পঠিয়াবাৰ কাৰণে আপোনাক সৰ্ব্বান্তঃকৰণে ধন্যবাদ দিছোঁ। মই ইয়াক আগ্ৰহেৰে পাঠ কৰিছোঁ আৰু মই আপোনাক ডাঠি কৰ পাৰোঁ যে অসমৰ বুৰঞ্জীৰ বিষয়ে আপোনালোকে যি কৰিছে সেই কাৰ্য্য আমাৰ কাৰণে ঐতিহাসিক অনুসন্ধান সম্পৰ্কে চানেকি স্বৰূপ হৈছে। মোৰ এই কথাষাৰ উকা প্ৰশংসা-উক্তি মাথোন নহয়। অসমীয়া বুৰঞ্জী সাহিত্যৰ প্ৰতি মই বিশেষ ভাবে অনুৰক্ত হৈছোঁ। ভাৰতৰ দক্ষিণ আৰু পশ্চিমে থকা ৰাজ্যবোৰৰে সৈতে অসমৰ পোনপতীয়াভাবে সংস্পৰ্শ নাছিল সঁচা, কিন্তু পশ্চিম আৰু দক্ষিণ ভাৰতৰ বুৰঞ্জীত কামৰূপৰ বিষয়ে কিছুমান উল্লেখযোগ্য সম্ভেদ পোৱা যায়। এতিয়াৰ পৰা মই সেইবোৰৰ বিষয়ে বেছি সতৰ্কভাবে মনোযোগ দিম। সিদিনা বহা অখিল ভাৰতীয় আধুনিক ইতিহাস পৰিষদত পঢ়া (লাচিত বৰফুকনৰ বিষয়ে) আপোনাৰ পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধৰ পৰা মোৰ মনত এটি নতুন চিন্তাৰ সোঁত বৱলৈ ধৰিছে। এই বিষয়ে মই আপোনাক যথাসময়ত জনাম। আপুনি যি প্ৰশংসনীয় ভাবে আপোনাৰ ডিপার্টমেণ্টৰ কাৰ্য্য পৰিচালনা কৰিছে তাৰেই চাই আপোনালৈ মই মোৰ আন্তৰিক আনন্দ-সম্বৰ্দ্ধনা পুনৰ জ্ঞাপন কৰিলোঁ। যত্ন আৰু সহায়ৰ অভাৱত আমাৰ প্ৰাচীন ঐতিহাসিক সম্পদবোৰ আমাৰ চকুৰ আগতে যিদৰে ধ্বংস প্ৰাপ্ত হবলৈ ধৰিছে, তাৰ সংৰক্ষণৰ বাবে অন্যান্য প্ৰদেশবোৰৰে অসমৰ উচ্চ আদর্শ অনুসৰণ কৰিলেহেঁতেন যদি !"

ডাক্তৰ এম, আই ৰবাৰ কৃতিত্ব—

ৰব সুখৰ বিষয় যে শিৱসাগৰ জিলাৰ ডাঃ এম, আই, ৰবা, এম-এ পি-এইচ্-ডি, ডাঙৰীয়া ঢাকা বিশ্ববিদ্যালয়ৰ পালী শিক্ষা বিভাগত উচ্চতম আসন লাভ কৰিছে। এই য়ুনিভাৰ্ছিটিৰ কৰ্ত্তৃপক্ষই যোগ্যজনৰ যোগ্য আসন দিয়া দেখি আমি সুখ পাইছোঁ। ৫২৮-০/অা:

ডাক্তাৰ ৰবাই, লণ্ডনস্থ পি-এইচ ডি ডিগ্ৰী লাভকৰি অহাৰ পিছত ১৯২৪ চনত ঢাকা বিশ্ববিদ্যালয়ত নিযুক্ত হৈছিল। বিশ্ববিদ্যালয়ৰ শিক্ষকমণ্ডলী আৰু ছাত্ৰ সমূহৰ মাজত তেখেতে যথেষ্ট প্ৰশংসা পায়। মোচলেম্ হলত তিনি বছৰ হাউচ্ টিউটৰ (House Tutor) হৈ থকা সময়ত ছাত্ৰ বোৰৰ পৰা তেখেতে যথেষ্ট প্ৰীতি সম্ভাষণ পাইছিল।

তেখেতৰ গবেষণা মূলক প্ৰবন্ধ বোৰে (Thesis) দেশ বিদেশৰ সুধী সমাজৰ আদৰ পাইছে। তাৰ ভিতৰত "Imigration of Persian Poet into Bengal," [হায়দৰাবাদত পাৰ্ছী চৰ্চ্চাৰ বাবে মনোনীত] "Jahangir the man," তেখেতৰ মৌলিকতাপূর্ণ প্ৰবন্ধ। পাছৰ প্ৰবন্ধটো যোৱা ১৯৩৫ চনৰ জানুৱাৰী মাহৰ "Indian Review" ত ওপ ধৰণৰ প্ৰবন্ধ হিচাবে প্ৰকাশ কৰা



ডাঃ এম, আই ৰবা পি-এইচ্-ডি

হৈছে। তেখেতৰ একে শাৰীৰ ওপ ধাপৰ প্ৰবন্ধ "Nature of the Persian language written and spoken in India durirng the 13th and 14th Century. এই প্ৰবন্ধটো "Bulletin of the school of oriental studies, London, Vol VII ১৯৩৪ত প্ৰকাশ কৰা হৈছিল। তেখেতৰ "Bsharistan" নামৰ অনুবাদৰ পুথিখনত মোগল ৰাজত্বৰ দিনত অৰু আৰু অসম প্ৰদেশৰ ইতিহাস সম্পৰ্কণে নিৰ্দ্দেশ কৰিছে। এই প্ৰবন্ধটো প্ৰকাশ কৰিবলৈ অসমৰ অনুসন্ধান সমিতিয়ে হাতত লৈছে বুলি শুনি সুখ পাইছোঁ।

ডাঃ ৰবা ডাঙৰীয়াই ভাৰতীয় বিশ্ব বিদ্যালয়ৰ প্ৰধান অধ্যাপকৰ আসন লাভ কৰাত আমি নথৈ আনন্দ পাইছোঁ। তেখেতৰ, দৃষ্টান্তই, তৰুণ অসমৰ শিক্ষা বিভাগত আগুৱাবলৈ উদগনি দিব। তেখেতৰ ক্ৰমোন্নতি আৰু দীর্ঘজীৱনৰ বাবে ভগৱানৰ ওচৰত প্ৰার্থনা জনাইছোঁ।

১৪, জগন্নাথ দত্ত লেন কলিকতা, লক্ষ্মীবিলাস প্ৰেছত ডাঃ জীননাথ শর্ম্মাৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

৫২৮-১/অা:
১১. ৬. ৯৯



চীনৰ মৃত্তিকা নির্ম্মিত জাহাজ

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

৫২৮৯/অ:



৬ষ্ঠ বছৰ, ৯ম সংখ্যা] আহাৰ [১৮৫৭ শক

পঞ্চ-প্রদীপ

[নাটৰ হৈ এগছি]

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ

প্রায় এশ বছৰৰ আগতে দুটিছ সিংহৰ পাছে পাছে বঙ্গালী সকল অসমলৈ সোমাই পৰিল। সিবিলাকৰ যত্নত নামনি অসমত বঙ্গালী যাত্রা আৰু উজনি অসমত বাইগান চলিবলৈ ধৰিলে। অসমৰ চিৰ স্বাধীনতা হেৰোৱাৰ লগে লগেই তাত সকলো গ'ল। মানৰ নিদাৰুণ নিষ্পীড়নত আত্মবোধ থকা প্রায় সকলো অসমীয়াই প্রাণ দিলে। বাকী যি বল তাৰ সৰহভাগেই দেশৰ গৌৰৱ বাখিব নোৱাৰিলে। বঙ্গলাৰে কথা পাতি, বঙ্গালীসকলক অনুকৰণ কৰি গৌৰৱ অনুভৱ কৰিবলৈ ধৰিলে।

বঙ্গালী যাত্রাৰ জনম ১৮২১ খৃষ্টাব্দৰ 'কলিৰঙ্গাৰ যাত্রা' নামৰ নাটকত। অভিনয় দুবুলি সিবিলাকে যাত্রা বোলে কিয় তাৰ ওৰ আজিলৈকে ওলোৱা নাই। অভিনয় আৰু অসমীয়া ভাৱনা অর্থত প্রায় একেই। কামৰূপৰ 'বায়েন'ৰ পৰা বায়েনীয়া তাৰো এক অর্থ আছে; কিন্তু যাত্রা মানে বঙ্গাৰ যাত্রা কালৰ আনন্দ উৎসৱত বাজে অভিনয় বুজোৱা অইন অর্থ পোৱা নেযায়। সেই কালত শাৰুৰ যুগৰ চিত্র যাত্রা, জনমযাত্রা, নৃসিংহ যাত্রা আদি নাটক পূর্ণৱয়স্ত বহুবাৰ হৈছিল। এনেও হব পাৰে সেই যাত্রা যাত্রাই যাত্রা হৈ পৰিল। সেই সম্পর্কে বায় বাহাদুৰ দীনেশ সেনৰ মন্তব্য আলোচনা কৰিলে এই ধাৰণা আৰু

বলী হয়,—বঙ্গালী যাত্ৰাৰ প্ৰথম নেতা বোলে কৃষ্ণকমল, তেওঁ বঙ্গদেশৰ নহয়, কৰবাৰ সুখসাগৰৰ লোক। সেই কালত পূৰ্ব্ববঙ্গ বোলে শ্ৰীকৃষ্ণ যাত্ৰাৰ লীলাভূমি আছিল।

তেহেলৈ যেই হওক উনবিংশ শতিকাৰ শেহ ভাগলৈ বঙ্গালীৰ "কেলুৱা ভেলুৱাৰ চং" অসমীয়া ভাৱনাত সোমায়েই নেৰিলে লাহে লাহে বঙ্গালী গোট নাটকেই আহি অসমীয়া নাট্যলীলাত ভুমুকিয়াবলৈ লাগিল। দেখাদেখিকৈ অসমৰ এখনি সত্ৰত বঙ্গলা নাটক আৰু বঙ্গলুৱা বাজনা সোমাই পৰিল। সেই সত্ৰৰে সত্ৰাধিকাৰ এগৰাকীয়েও বঙ্গলা ভাষাৰে নাটক লিখিছিল। সীতাহৰণ নাটক হ'ল বঙ্গালী মতিলাল ৰায়ৰ, বঙ্গলা ভাষাৰ বচন-আবৃত্তি, আৰু গান; কিন্তু তাত অসমীয়া নাচেৰে বঙ্গলা কোৱা সূত্ৰধাৰ আৰু মাজে মাজে যাত্ৰাৰ জুৰি গানৰ ঠাইত, অসমীয়া গায়েনৰ বঙ্গলা গীত। তাৰে ঢৌ আহি এজন বিখ্যাত ওজাৰ জৰিয়তে শিৱসাগৰৰ গায়েন সম্প্ৰদায় পাইছিলহি। বৰপূজাৰী দেউৱে বুকু পাতি ধৰাত সেই ঢৌ সিমানতে মাৰ গ'ল।

বৃটিছ শাসনৰ আৰম্ভৰে পৰা আজিলৈকে অসমীয়াই সকলো কথাতে সহস্ৰ সুবিধাৰ ভাৰত-ৰাজধানী কলিকতা খনি পিঠিত লৈ অহা বঙ্গালীসকলৰ মুখলৈ চাব লগীয়া হল। চাওঁতে চাওঁতে বঙ্গালীৰ হাব-ভাব, বঙ্গালীৰ জুতি বাহিৰ চোতালতে নেথাকি মজিয়াই দি আখলৰ চৰু পালেগৈ। ভাগ্যে বেছিকৈ ওলাই খেলি নুকুৰা, বজাৰে-সমাৰে ফুৰি গা তিওৱা, বিদেশীক বাটচৰাতে থৈ সোধা দুই এক গোঁসাই মহন্ত এতিয়াও আছে নহলে পিণ্ড দিয়া চালিৰ তলৰ প্ৰদীপটিৰ দৰে অসমৰ নাট্যলীলা যি এতিয়াও ঢিমিকি জলি আছে সিও নেথাকিলহেঁতেন। অসমীয়াই ৰজাঘৰীয়া অনুগ্ৰহত তাৰ নিজ ভাষাৰে লিখা পঢ়া কৰিবলৈ সুবিধা পাইছে যদিও এতিয়াও সি সৰ্ব্বগ্ৰাসৰ পৰা মুক্ত হৈ জোন জিলিকাদি জিলিকিব পৰা নাই।

আৰু এডোখৰ কলা ডাৱৰ পচিমৰ পৰা ওন্দোলাই আহিছে। তাৰ আন্ধাৰত অসমৰ চিৰ সাধনা এই যায়। অসমৰ নাট্যগগণৰ সি থিয়েটাৰ! এই থিয়েটাৰে নামতে অকল লেঠা লগোৱা নাই অসমৰ নাট্যলীলাৰ সন্ধি কঁপাই তুলিছে। থিয়েটৰ 'বিলাত ফেৰত' হৈ বঙ্গদেশৰ জৰিয়তে অসম সোমাইছে। ১৭৯৬ খৃষ্টাব্দত 'লেবিডফ্' নামৰ এজন য়ুৰোপীয়ই বঙ্গদেশৰ গোলক চন্দ্ৰ দাসক হাতত লৈ মুছলমান ৰাজত্বৰ প্ৰসুপ্ত নাট্যলীলাৰ প্ৰথম জাগৰণ কৰিলে। ইংৰাজী সাজ-সৰঞ্জামেৰে আৰু ইংৰাজী বাজনাৰে ভাৰতীয় নাটকৰ প্ৰথম অভিনয় হৈ গল। তাৰ পৰাই বাঙ্গালা ভাষাত যি নাটকাদিৰ ৰচনা হল সকলোৰে আদৰ্শ ইংৰাজী নাটক। অভিনয় অভিব্যক্তিতো সিবিলাকে ইংৰাজৰ ধৰণ-কৰণ অনুকৰণ কৰিবলৈ লাগিল। পণ্ডিত ৰামনাৰায়ণে এবাৰ সোঁতৰ বিৰুদ্ধে বুকু খুলি উঠিছিল, কিন্তু যুগধৰ্ম্ম আৰু ইংৰাজী শিক্ষাৰ পাগলাদিয়াত সৰহ পৰ থাৱৰিব নোৱাৰিলে, বুৰি গল। চাওঁতে চাওঁতে মাইকেল মধুসূদন আৰু তেওঁতকৈ প্ৰতিভাশালী দীনবন্ধুৰ য়ুৰোপীয় অনুকৰণ শিক্ষিত অশিক্ষিত সকলোৰে প্ৰিয় হবলৈ ধৰিলে। এই নাটকত অইন যি নাইয়েই নে ভাৰতীয় নাটকৰ নান্দী প্ৰশস্তি আদিৰ যি ক্ষীণ আভাস সিও নাইকিয়া হল। এই দুজনৰ পথে পথে কলিকতাৰ সকলো সুবিধা হাতত পাই ভালেখিনি চেষ্টা চলিবলৈ ধৰিলে। শেহত ১৮৭২ খৃষ্টাব্দত কলিকতা মহানগৰীত প্ৰথম 'নেচনেল থিয়েটৰ' স্থাপিত হয়। ইয়াৰ পাছৰ পৰাই গিৰীশ ঘোষ, অমৃত বসু, অমৰ দত্ত, সুৰেন ঘোষ আৰু শিশিৰ ভাদুৰী প্ৰমুখ্যে প্ৰতিভাশালী গুণীসকলৰ চেষ্টাত কলিকতাত অৰিয়া অৰিকৈ কেবাটিও নাট্যালয় স্থাপিত হল, আৰু চাওঁতে চাওঁতে বঙ্গদেশৰ নাট্যলীলা বৰ্ত্তমান ভাৰতৰ উৎকৃষ্ট নাট্যলীলাৰ অন্যতম হৈ পৰিল।

অসমৰ হেঁপাহ আছে, কিন্তু সহস্ৰ সুবিধাৰ কলিকতা খনি হাতত নাই গতিকে এই নতুন নাট্যলীলাৰ বঙ্গদেশলৈ চকু নিদি নোৱাৰিলে: চিৰস্মৰণীয় হেমচন্দ্ৰ বৰুৱাদেৱে বঙ্গালী 'নেচনেল থিয়েটৰ' স্থাপিত হোৱাৰ ছবছৰৰ আগতে সেই কালৰ য়ুৰোপীয় নাটকৰ আৰ্হিৰে 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী' নামৰ নাটক এখনি প্ৰকাশ

কৰিলে। এই নাটকখনিত পৰৰ প্ৰেৰণা হলেও নিজৰ মৌলিকতা যথেষ্ট আছে। ইয়াৰ দুবছৰৰ পাছতে তেখেতৰ লিখনিৰে পৰা 'কানীয়া কীৰ্ত্তন' নামৰ আৰু এখনি নাটক ওলায়। প্ৰথমে প্ৰথমে অসমীয়াই কেবা ঠাইতো এই কেউখন নাটকেৰে থিয়েটৰৰ অনুকৰণ কৰিবলৈ ধৰে। অলপৰ পাছৰ ৰুদ্ৰৰাম বৰদলৈ দেৱৰ "বঙ্গাল বঙ্গালনী নাটক" ১৮৭১ খ্ৰীষ্টাব্দত প্ৰকাশ হয়। এই তিনিওখনিক নাটকতকৈ প্ৰহসন বুলি ধৰিলেহে ভালকৈ শুৱায়। ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা দেৱৰ "ৰাম নৱনী নাটক নামৰ গহীন বিষয়ৰ নাটকখনি বেছি পাছৰ নহয়। ১৮৮৪ খ্ৰীষ্টাব্দত "হৰিশ্চন্দ্ৰ" নামৰ আৰু এখনি গহীন পৌৰাণিক নাটক প্ৰকাশিত হয়। পূৰ্ণকান্ত শৰ্ম্মা দেৱৰ এই নাটক-খনি বোলে না ভাৱনা না থিয়েটৰ এনেদৰে কেবা বাৰো অভিনীত হৈ হৈ ডিবুৰুৰ নাট্যালয় স্থাপিত হোৱাৰ লগে লগে হে থিয়েটৰৰ নাটকৰূপে পৰিগণিত হয়। এই গৰাকী নাট্যকাৰৰ বোলে 'হৰধনুভঙ্গ' নামৰ আৰু এখনি নাটক উজনিৰ প্ৰায়ে সকলো নগৰত অভিনীত হয়। শৰ্ম্মাদেৱৰ পাছতে বঙ্গদেশলৈ অহাদি অসমলৈকো অনুবাদৰ এটি সোণালি ছেগ আহিছিল। ১৮৮৭ খ্ৰীষ্টাব্দত বৰা দেৱৰ শকুন্তলাৰ সুৱলা ভাঙনী প্ৰকাশিত হয়। ১৮৮৮ খ্ৰীষ্টাব্দত তেতিয়াৰ কলিকতীয়া ছাতৰ ঘনশ্যাম বৰুৱা দেৱ, ৰত্নধৰ বৰুৱাদেৱ শ্ৰীযুত গুঞ্জানন বৰুৱা দেৱ, আৰু শ্ৰীযুত ৰমাকান্ত বৰকাকতী দেৱে মিলি জুলি "ভ্ৰম ৰঙ্গ" নামেৰে চেক্স-পিয়েৰৰ 'কমিডি অব এৰৰ্স্'ৰ ভাঙনী এখনি প্ৰকাশিত কৰে। ইয়াৰে ওচৰা-ওচৰিকৈ ৰত্নেশ্বৰ মহন্ত দেৱে বেনী সংহাৰৰো বোলে অনুবাদ কৰিছিল। দুনাই এনে এটি ছেগ এতিয়ালৈকে আৰু নাহিল। ইয়াৰ পাছতে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা দেৱৰ "মেঘনাদ বধ"ৰ দিনলৈকে আগা পাছাকৈ—চৌধুৰী দেৱৰ কৰ্ণবধ; বৰা আৰু চৌধুৰী দেৱৰ চন্দ্ৰপ্ৰভা; মহন্ত দেৱৰ জয়দ্ৰথ বধ, দ্ৰৌপদী হৰণ, আৰু হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য দেৱৰ পাৰিজাত হৰণ; শ্ৰীযুত বেণুধৰ ৰাজখোৱা দেৱৰ সেউতি কিৰণ; দুৰ্গাপ্ৰসাদ মজিন্দাৰ দেৱৰ বৃষকেতু, গুৰুদক্ষিণা, মহৰী, নিগ্ৰো; হৰেশ্বৰ বৰুৱা দেৱৰ অভিমন্যু বধ, শকুন্তলা; পদ্মনাথ শৰ্ম্মা দেৱৰ 'ন-বোৱাৰী' আদি অনেক নাটকৰ প্ৰণয়ন হল। এই নাটক খিনিৰ আগৰ কিখনি প্ৰকাশ নোপোৱাত সবিশেষ একো কব নোৱাৰি। প্ৰকাশ হোৱা কিখনিলৈ চাই ইমানকে কব পাৰি যে এই সময়ৰ নাটকবিলাক প্ৰায়ে সাঁচে-কাটে বঙ্গদেশৰ জৰিয়তে অহা য়ুৰোপৰ ঠাচৰ। কোনো কোনো খনিত জাতীয় অপবাদৰ ব্যঙ্গ চিত্ৰ বেচকৈয়ে ফুটিছে, আৰু প্ৰায় বিলাকতে য়ুৰোপৰ ঢৌত জাতীয় সংস্কাৰৰ যি সংঘৰ্ষ তাৰে সুন্দৰ আভাস নিজিলিকিও জিলিকি পৰিছে। এই নাটকবিলাকৰ অভিনয় কৰিবলৈ কলিকতা আদি ঠাইৰ অনুষ্টুপীয়া আয়োজনৰ কথা বাদ দিলে প্ৰথমে প্ৰথমে নিগাজিকৈ ডিব্ৰুগড়ত আৰু পাছলৈ আগা পাছাকৈ বোলে গুৱাহাটি, যোৰহাট, শিৱসাগৰ, তেজপুৰ, নগাওঁ, আদি নগৰৰ শিক্ষিত অসমীয়া সকলে বঙ্গালী সকলেৰে লগ লাগি একো একোটি 'ষ্টেইজ' বিংশ শতিকাৰ আদিৰ দোকমোকালিতে সাজি লৈছিল। শেহত মনান্তৰ ঘটি যোৰহাট, শিৱসাগৰৰ বাহিৰে সকলো ঠাইতে সেই 'ষ্টেইজ' সিবিলাকক এৰি দি নিজে নিজে আছুটীয়াকৈ অসমীয়াৰ নামে একো একোটি সাজি লৈছে। এই কালৰ মৌলিক নাটকবিলাকৰ ভাষা গদ্য। ঐক্যতান আছিল বেহেলা, ঢুলুকি একৰ্ডিন; পাছলৈ লাহে লাহে হাৰ্ম্মনিয়ম হল। গানত বঙ্গদেশৰ পৰা অহা 'চোকোৰা' বা 'বাই' নাচৰ ছেও আৰু সুৰ। তাৰ পাছত কলিকতাত সেই কালত প্ৰচলিত গিৰীশীয়া আবৃত্তিৰ ঠাচেৰে মধুসূদন দত্তৰ অমিত্ৰাক্ষৰ ছন্দ প্ৰথম নাটকলৈ আনে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাদেৱে। এখেত অকল কবিয়েই নহয় এগৰাকী অতি প্ৰসিদ্ধ অভিনেতাও আছিল। বঙ্গালী ওখ ধৰণৰ সুৰ তেখেতৰ গানৰ মাজেদিয়ে অসমৰ দীঘে পুতলে প্ৰথম প্ৰচাৰ হয়। অসমৰ এনে এটি ৰঙ্গমঞ্চ নাই যত এই লিখকৰ মেঘনাদবধ একাধিকবাৰ অভিনীত হোৱা নাই। মাইকেল মধুসূদনৰ পৰা চৰিত্ৰ অনুকৰণ নকৰি যদি মূল ৰামায়ণৰ পৰা চৰিত্ৰাদি আনিলেহেঁতেন তেনে ভাৰতৰ পবিত্ৰ আদৰ্শ মলিন নহৈ উজ্জ্বল হলহেতেন, আৰু লগে লগে মেঘনাদ বধ অসমীয়া সাহিত্যৰ এখনি অতি উৎকৃষ্ট নাটক হলহেঁতেন।

মেঘনাদ বধৰ লগে লগে দেৱনাথ বৰদলৈদেৱৰ 'বৈদেহী বিচ্ছেদ।' এই নাটক খনিত মাইকেল আৰু গিৰীশ ঘোষৰ মাজতে এক নতুন অমিত্ৰাক্ষৰ ছন্দৰ আভাস আছে। মৌলিকতা আৰু কবিতাৰ ফালৰ পৰাও নাটক খনি সুন্দৰ হৈছিল।

অমিত্ৰাক্ষৰ ছন্দ য়ুৰোপৰ পৰা বঙ্গদেশৰ জৰিয়তে আহিল হয়, কিন্তু শ্ৰীযুত পদ্মনাথ বৰুৱাদেৱৰ দৰে সিদ্ধহস্ত এজনে হাত ফুৰাই নিদিয়ালৈকে সি জতুৱা ঠাচত নুঠিছিল। বৰুৱাদেৱৰ জয়মতী, গদাধৰ আৰু সাধনীয়ে এফালে যেনেকৈ অমিত্ৰাক্ষৰ ছন্দ অসমীয়া কৰিলে অইনফালে ইতিহাসৰ মৌলিক চৰিত্ৰ নাটকৰ মাজেদি ৰাইজৰ আগলৈ পোন প্ৰথমে ডাঙি ধৰিলে—বৰুৱাদেৱৰ নাটক কিখনি এই লেখেৰে অসমৰ বহুমূলীয়া ধন।

বৰুৱাদেৱৰ আগে পাছে লগে লগে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাদেৱে অসমীয়া নাটকত উচ্চ ধৰণৰ হাস্যৰস বোৱাই আৰু ঐতিহাসিক নাটকত নতুন পোহৰ দি নাট্যলীলা আৰু উপাদেয় কৰি তুলিলে। অসমীয়াৰ অন্তৰৰ পৰা ফুটি অহা কি স্বাভাৱিক ভাষা, কি অতুলন বাক্যবিন্যাস, কি হাস্যোদ্দীপক ঘটনাৰ সমাবেশ! সি যেন নাটক নহয়, অসমীয়াৰ বুকুৰ তেজেৰে লিখা মৰমৰ বাণী।

ইবিলাকৰ লগে লগে কবিবৰ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা দেৱৰ নাটক কিখনিৰো অসমৰ সকলো ঠাইত সমান আদৰ। এই কবিৰ 'চেক্সপিয়ৰ'ৰ 'এজ ইউ লাইক ইট'ৰ ভাঙনী চন্দ্ৰাৱলীত বাজে বাকী পাৰ্থপৰাজয় আৰু বালি বধত অকল ঠায়ে ঠায়ে বস্তু বিষয়ৰ মৌলিকতাই নহয়, এক নতুন ছন্দ আৰু ঠাচৰ আভাসো উজলি পৰিছে।

এই তিনিও জনৰ নাটকে নাটকীয় মৰ্য্যাদা বহুত ওপৰলৈ তুলিলে। ইয়াৰ পাছতে নাট্যলীলা আহি আমাৰ থাপৰ নাট্যকাৰৰ হাতত পৰিছেহি। ইবিলাকৰ নাটকৰ গুণাগুণ আমাৰ পাছৰ তৰপৰ সমালোচকলৈ এৰি থলো।

ঠিক এই সময়তে বঙ্গদেশৰ বৰ সৌভাগ্য, একে জাউৰতে অনেক প্ৰতিভাশালী লোকৰ প্ৰতিভা শতমুখে ফুটিবলৈ ধৰিলে। নাট্যজগতত নিতৌ নতুন নাট্যকাৰে নতুন অভিনেতাই নতুন উপচাৰ যোগাবই লাগিছে। অসমৰ নাট্যকাৰৰ আজি সেই শক্তি, সেই বেগ নাই। চামে চামে কলিকতাৰ পৰা অহা ছাত্ৰসকলে, দৰ্শক সকলে কলিকতাৰ জুতি বিচাৰি পেন পেনাই আমনি কৰিছে। বেচেৰি লিখকৰ উপায় কি? উচ্চাৰণৰ সামাইন সালসলনি কৰি গোটে গোটে বঙ্গালী নাটক একোখনিকে দিবলৈ তত হেৰাই গৈছে। ভাগ্যে অসমীয়াৰ চিৰিশ পেটকটা য আৰু দইত স কেউটা আছিল, নহলে এইটো বেগত অসমৰ নাট্যগৃহত অসমীয়াৰ বুলিবলৈ একো নেথাকিল হেঁতেন। কলিকতাত আজি দ্বিজেন্দ্ৰলালৰ লোমহৰ্ষক বা ভাবপ্ৰৱণ নাটক, অসমতো তাৰ অনুবাদ। কলিকতাত হল অপৰেশ বাবুৰ পৌৰাণিক নাটক, ইয়াতো তপতে তপতে তাৰ অনুবাদ। বৰ্ত্তমান নাটকৰ বাছনিত নাটকৰ উপযোগীতাতকৈ তাৰ অমুকে অমুকে কলিকতাত দিয়া ভাও কেইটা ঘাই ভাৱৰীয়া দুই এজনে লব পৰা হলেই প্ৰায় ৰঙ্গমঞ্চতে হৈ যায়; তেহেলৈ সেই নাটকত বিহেই উঠক বা অমৃতেই উঠক। একমুখে তৰুণ অসমীয়াৰ উদ্যম আৰু জীৱন দেখি হিয়া ফুলি উঠে, অন্যমুখে সিবিলাকৰ এই বিজতৰীয়া জুতিৰ লোভ দেখি হিয়া কঁচি যায়। এনে ধৰণৰ অনুকৰণৰ নাম বেজবৰুৱা ডাঙৰীয়াই বেচ দিছে—হনুকৰণ। নাটকত যি অনুকৰণ হলেই নে অভিনয়তো হনুকৰণ। জগতৰ নাট্য ইতিহাসে কব লাগিছে এনে হনুকৰণে কোনো জাতিৰ কোনো যুগতেই নাট্যলীলাৰ উন্নতি সাধিব পৰা নাই। হনুকৰণ কৰি কৰি অসমৰ ৰঙ্গমঞ্চই আজি তাৰ মৌলিকতা হেৰুৱাই পেলাইছে। কলিকতাৰ অনুকৰণৰ চল নথকা কোনো কোনো মৌলিক নাটকৰ অভিনয় কৰিবলৈ পালেই সিবিলাকৰ জুতি নেলাগে। একে কথাই নাক কোঁচাই সিবিলাকে কয়—নাটক 'ষ্টেইজ'ৰ উপযোগী নহয়। সকলো নাটকেই যে ষ্টেইজৰ উপযোগী তাকো কব নোৱাৰি; সেই বুলি ইয়াকো কব নোৱাৰি, অনেক সময়ত যে নিজৰ মৌলিকতাৰ অভাৱত অভিনেতাই নাটকত

জীৱ দিব নোৱাৰিও "আঙ্গুৰবোৰ টেঙ্গা" নোবোলে। সিবিলাকে ভাবি নাচায় মানুহৰ অনুকৰণ জন্তুৱেও কৰিব পাৰে; কিন্তু নীৰস নাটকত প্ৰাণ দিব পাৰে—এক অভিনেতাই।

অনুকৰণৰ ধাউতিত প্ৰাচীন ভাৰতৰ সু-আদৰ্শৰ কু-আভাস দিয়া, আৰু জাতীয় অপবাদৰ কুৰুচিৰে ভৰা কেবাখনিও বঙ্গদেশৰ নাটক অসমৰ ৰঙ্গমঞ্চত একাধিক বাৰ অভিনীত হৈ গৈছে। আমি নিজৰ বিলাস বাসনা চৰিতাৰ্থ কৰিব পাৰিলেই পাহৰি যাওঁ ভাৰতৰ নাট্যমন্দিৰ অকল বিলাস ভৱন নহয়, অৱকাশৰ প্ৰমোদ মহয়;—ই জাতীয় চৰিত্ৰ গঠনৰ বিদ্যাগাৰ লোকশিক্ষাৰ কেন্দ্ৰস্থল,—ই চতুৰ্ব্বৰ্গ সাধনৰ জনানন্দকৰ অনুষ্ঠান।

নাট্যশাস্ত্ৰত ভাৰতৰ ঋষিয়ে অতি কাতৰকৈ কব লাগিছে—"মা বৈ প্ৰণশ্যতামেতন্নাট্যং, দুঃখাৎ প্ৰবৰ্ত্তিতম্। মহাশ্ৰয়ং মহাপুণ্যং মেদাঙ্গো পাঙ্গসম্ভবম।" এনে দুখেৰে প্ৰবৰ্ত্তিত পৱিত্ৰ নাট্যৰ, যেন নাশ নহয়। ই অকল ঋষিৰে বাণী নহয়,—কত যুগ যুগান্তৰৰ ভঙ্গাগঢ়াৰ মাজেদি বৈ অহা নাট্য লীলাৰ পবিত্ৰ ধাৰাৰ অধিষ্ঠাত্ৰী ভাৰতী দেৱী আজি যেন মূৰ্ত্তিমতী হৈ চকুৰ পানীৰে বিনাব লাগিছে—"অতি দুখেৰে জলাই থোৱা ভাৰতৰ এই নাট্য প্ৰদীপটি নুমাই নিদিবি ঐ নুমাই নিদিবি!" বহুত আহিলোঁ। অলপ বৈ ঋষিৰ বাণী, ভাৰতীৰ বাণীলৈ কাণ দিব লগীয়া হৈছে—আমি কোন সুঁতিয়ে যাব লাগে, কোন সুঁতিত পাৰি দিছোঁ। আমি যেনি আহিছোঁ, সি কলৈ? তাৰ অন্ত ক'ত?

আজি আমাৰ মুষ্টিমেয় নগৰৰ শিক্ষিত অসমীয়াই জ্ঞানৰ জোৰ হাতত লৈ সমগ্ৰ জাতিটিক কলৈ নিব খুজিছে? চকুৰ আগৰ জনপ্ৰিয় যি থিয়েটৰৰ সুঁতি তাৰ অন্ত ক'ত? নগৰীয়া শিক্ষিত অসমীয়া থিয়েটাৰত ব্যস্ত। অভিনয় লৈ ব্যস্ত হওক, মঙ্গলৰ কথা। আমাৰে প্ৰাচীন নাট্যশাস্ত্ৰৰ নাট্যগৃহৰ দৃশ্যপটাদিৰে সুশোভিত ৰঙ্গমঞ্চ, যত বৈদিক যুগৰ অমৃত মন্থনৰ পৰাই ভৱভূতিৰ উত্তৰৰামচৰিতলৈকে অমৃতোপম নাটকৰ মন্থন হৈছিল! সেয়ে নানা যুগৰ নানা পৰিবৰ্ত্তনৰ মাজেদি গৈ ১৬১৮ খৃষ্টাব্দত পাৰ্ম্মা নগৰত এটি 'ষ্টেইজ' হৈ পৰি সমগ্ৰ য়ুৰোপৰ আদৰ্শৰূপে পৰিণত হল। সেই 'ষ্টেইজ' সাজে পাৰে য়ুৰোপৰ আদৰ্শৰূপে পৰিণত হ'ল। সেই 'ষ্টেইজ, সাজে পাৰে য়ুৰোপীয় হৈ ঘূৰি আহি ভাৰতৰ বুকুত পৰ হৈ আপোন পাহৰিছে। ভাৰতৰ দৃশ্য পট, ভাৰতীয় নাটক, আৰু ভাৰতৰ নামকৰণেৰেও যদি হলহেঁতেন তেও নিজৰ গৌৰৱ কৰিবলৈ ভাৰতবাসীৰ অলপ ঠাই থাকিলহেঁতেন। তাকে নকৰি এই ৰঙ্গমঞ্চৰ অভিনয়ক 'থিয়েটৰ' এই হাস্যস্পদ নাম দি, তাত য়ুৰোপৰ আব-ভাব, য়ুৰোপৰ জুতি, য়ুৰোপৰ শব্দ, আৰু য়ুৰোপৰ নাটকৰ ধৰণ কাৰণ নৃত্য গীতাদিৰে ৰঙ্গমঞ্চক 'ষ্টেইজ' পাতি এক বিজতৰীয়া জুতিত সিবিলাকে গা ঢালি দিছে। থিয়েটৰ য়ুৰোপৰ হলেও সি অসমলৈ আহিল কলিকতাৰ ৰঙ্গমঞ্চৰ জৰিয়তে—যি ৰঙ্গমঞ্চৰ মূল উদ্দেশ্য ব্যৱসায়। ব্যৱসায়ৰ উদ্দেশ্য ধন, সস্তা প্ৰশংসাৰে বেছি লাভ কৰা। নাট্যলীলাৰ তেহেলৈ যেই হওক। ব্যৱসায়ে নাট্যলীলাত যি বেমেজালি তুলিছে তাৰ আভাস জাৰ্ম্মাণীৰ শ্ৰেষ্ঠ নাট্যকাৰ 'গাটে'ই মেনেজৰ, কবি আৰু খুহুটীয়াৰ মুখেদি 'ফষ্ট' নাটকৰ প্ৰথম খণ্ডৰ প্ৰস্তাৱনাত সুন্দৰকৈ দিছে। সৰ্ব্বসাধাৰণ জুতিলৈ নাটক বিচাৰি মেনেজাৰে কবিক খাই মাৰিছে। কবিয়ে দিব খোজে এনে নাটক যাৰ সত্য আৰু আদৰ বুজিবলৈ এক পুৰুষ লাগিব। খুহুটীয়াই ভুৰুকিয়াই মাত লগাইছে—তেনে আমাৰ পুৰুষ নইহাকৈয়ে থাকিব নে কি? মেনেজৰে নেৰে—যি টকা দিছে তাৰ মন যোগাবই লাগিব। ঘটনা বৈচিত্ৰ্যৰ ওপৰত বৈচিত্ৰ্য, দৃশ্যৰ ওপৰত দৃশ্য এনে ধৰণৰ কিবা নিদিলে সকলোৰে মন টানে কেনেকৈ? গোটেই নাটকত কি হ'ল তালৈ কাণ কৰে কেইজনে?—কোনোৱে হয়তো বৰ ভোজৰ পৰা এই উঠি আহিছে, কোনো দৰ্শকে বা পাঠ্যাগাৰৰ পৰা চকু মোহাৰি মোহাৰি এই ওলাই পৰিছে,কোনোৱে নিজৰ প্ৰিয়জনৰ দৰ্শন লালসাত কেউফালে চকুফুৰাই এই বহিছেহি, কোনোজনে নিচাত গা নচুৱাই চুৰত টানি, ওলাইছেহি, কোনোৱে হয়তো কাৰবাৰৰ হৈ-চৈৰ পৰা পুলুকা মাৰি

এটা উশাহ লৰলৈ সোমাই পৰিছেহি। শেষৰ খবৰ লৈ ব্যস্ত হবৰ আজৰি কাৰো নাই। এখন বা দুখন দৃশ্যৰ, এজন বা দুজন অভিনেতাৰ প্ৰশংসা কৰিব পাৰিলেই—দৰ্শকৰ স্ফূৰ্ত্তি! দৰ্শকে পয়চা খৰচ কৰিছে লাগে স্ফূৰ্ত্তি। যিহৰে হওক অলপ সময়ৰ ভিতৰতে বহুতৰ জুতিৰ জোখাৰে বহুত বিধৰ বহুত দিয়ক—ৰক্ষা নাই। কবি অবাক্। কবিৰ প্ৰেৰণা নাই। চকুৰ আগৰ যেই সেই বিষয়কে ধৰক, প্ৰেৰণা আপুনি আহিব বুলি মেনেজৰে আশ্বাস দিব লাগিছে। অকল য়ুৰোপতে নহয় ব্যৱসায়ী ৰঙ্গমঞ্চ মাত্ৰৰেই আজি এই শোচনীয় অৱস্থা। এই অৱস্থাৰ প্ৰভাৱতে আজি য়ুৰোপৰ ছাঁয়াযাত্ৰাত'চেঞ্চৰ' বহি তাক ওলালেই চাকিব লগীয়া হৈছে। তাৰ আদৰ্শৰে দৰ্শকে ৰঙ্গমঞ্চত নাটক বিচাৰিছে—দুই এঘণ্টাৰ ঘটনা বৈচিত্ৰ্যৰে স্ফূৰ্ত্তিজনক নাটক। ব্যৱসায়ী ৰঙ্গমঞ্চত জনসাধাৰণৰ জুতি বিচৰা চেষ্টাত নাট্যলীলাৰ আদি যুগতো নাটকৰ উৎকৰ্ষ সাধন হোৱা যি নাইয়েই নে সিদিনাৰ ইংলণ্ডতো হোৱা নাছিল। ৰাজ ক্ষমতাৰে 'ড্ৰুৰি লেইন' আৰু 'কভেণ্ট গাৰ্ডেন' বন্ধ কৰি দিলত হে নাটকৰ উন্নতি সাধন হৈছিল।

য়ুৰোপৰ নাটক যে আজি ভঙ্গাগঢ়াৰ মাজেদি উচিত পথে গৈছে তাক কোনে কব পাৰিব? সেয়ে যদি হয় আধ্যাত্মিক নাটকলৈ বিশেষকৈ মৰিচ মেটাৰলিঙ্কৰ নাটকৰ অনুবাদৰ দৰে অনুবাদ লৈ আজি য়ুৰোপৰ অন্তৰত পিয়াহ জাগিব কিয়? ঋষিকল্প কাউণ্ট টলষ্টয়ৰ সংগ্ৰহ শঙ্খ আধ্যাত্মিক সুৰত বাজিয়েবা উঠিব কিয়? 'মেডেম্ ডেনিচ,''মেডেম্ পাৱলৱা আদিৰেই' বা ভাৰতৰ আধ্যাত্মিক নৃত্যকলালৈ ইমান হেপাহ লাগিব কিয়? য়ুৰোপৰ আদৰ্শেৰে আমি আমাক গঢ়িবলৈ গলে আমাৰ আদৰ্শৰ আমূল পৰিবৰ্ত্তন কৰি লব লাগিব। সেয়ে হলে ভাৰতৰ যি অনন্তকালৰ সাধনাৰ অস্তিত্ব সি ৰয় কেনেকৈ? কোন সুঁতিৰ আশাত এই পুৰণি পবিত্ৰ সুঁতিটি এৰি দিম? পৌৰাণিক দেৱতাৰে সাত আঠ শ বছৰ তোল্ পাৰ লগোৱা হ'মাৰৰ মহাকাব্যৰ প্ৰভাৱ আজি ক'ত? যুগান্তৰকাৰী গ্ৰীকট্ৰেজেডি আজি ক'ত? দেশে দেশে নাট্যলীলা এবাৰ জ্বলিছে এবাৰ নুমাইছে—ধৰ্ম্মৰ কক্ষচ্যুত তাৰকাৰ দৰে আকাশৰ এক প্ৰান্তৰৰ পৰা অন্য প্ৰান্তলৈ হুতাহত লৰি ফুৰিছে! শত দুৰ্যোগ, সহস্ৰ সহস্ৰ বাধা বিঘিনিক তুচ্ছ কৰি কত ধৰ্ম্মৰ, কত সমাজৰ, কত ৰাষ্ট্ৰীয় পৰিবৰ্ত্তনৰ মাজেদি যুগ যুগান্তৰৰ নাট্যলীলা জলবিম্বৰ দৰে নিজ শৰীৰত বিলীন কৰি ধীৰ গম্ভীৰ ভাবে আজিও ভাৰতৰ চিৰন্তন নাট্যৰ ধাৰা বৰই লাগিছে! এনে এটি লুইতৰ ঘাই সুঁতি এৰি আৰু কোন তৰঙ্গী নদীৰ আশ্ৰয় লৈ প্ৰাণৰ পিয়াহত ছাটি ফুটি কৰিম? য়ুৰোপৰ পথ আমাৰ পথ নহয়। ভাৰত মৰিব লাগিলেও তাৰ আদৰ্শতে মৰিব, জীৱ লাগিলেও তাৰ আদৰ্শতে জী উঠিব। ভাৰতৰ দৰে এটা প্ৰাচীন মহাজাতি নিজৰ আদৰ্শত মৰি যাবলৈকো যথেষ্ট গৌৰৱ আছে যি গৌৰৱ লোকৰ আদৰ্শৰে জীয়াই থাকি কস্মিন কালেও পাৰ নোৱাৰিব।

থিয়েটাৰৰ পথ এৰি যাম কলৈ? ভাৱনালৈ?—ইমান লেতেৰা সেই পথ ইমান আসোঁৱাহ! হব পাৰে ভাৱনা বৰ লেতেৰা বৰ জঘন্য—কিন্তু সি সিদিনালৈকে মহাপুৰুষ আদিয়ে প্ৰাণ দি মুকলি কৰা প্ৰাচীন ভাৰতৰ প্ৰকৃষ্ট পথৰ জীৰ্ণৰেখা। সিদিনাৰ শৰাই ঘাটৰ যুজৰ পাছতো বিজয়ী অসমীয়াই প্ৰাণ খুলি হাঁহিছিল চাগৈ এই ভাৱনাতে। ভাৱনা ভাৰতৰ গৌৰৱ, অসমীয়া জাতিৰ বিজয় পদক—তাৰ শেষ চতুৰ্ব্বৰ্গ সাধন। সিদিনালৈকে, অইন কি আজিও মাজে মাজে তালৈ আগ কৰি ৰোগী ৰোগমুক্ত হয়, হতাশে আশা পায়। সি সিদিনালৈকে লোকশিক্ষাৰ এক পবিত্ৰ অনুষ্ঠান হৈ আছিল। মুষ্টিমেয় শিক্ষিত নগৰীয়াত বাজে আজিও সি লাখে লাখে চহা অসমীয়াৰ তিথিয়ে পৰ্ব্বই আনন্দ উৎসৱ হৈয়েই আছে। মানি লওঁ তাৰ বৰ্ত্তমান অৱস্থা অতি শোচনীয়। গ্ৰাম্যভাব আৰু ভাষাৰে সি কলুষিত, সৌন্দৰ্য্য আৰু মাধুৰ্য্যৰ নামত জঘন্যতাৰ এক তুমুল গণ্ডগোল। তাৰ বাবে দায়ী কোন? তাত অশিক্ষিতৰ চেষ্টা আছে শিক্ষিতৰ সহযোগ নাই, অসমীয়াৰ অনুষ্ঠান আছে, প্ৰাণ নাই। এদিন অসমৰ

চুকে কোণে কোনো বুঢ়ীৰ হাতত যঁতৰ দেখি আমি হাঁহিছিলোঁ। এদিনো ভাবি নাচালো আমাৰ বিদ্ৰূপৰ মাজতো সেই ৰক্ষণশীল সমাজৰ বুঢ়ীটিয়ে কি মহৎ কাম কৰি আমাৰ জাতীয় গৌৰৱ ৰক্ষা কৰি আহিছে। এই খিনিতে নজনাৰ জয়। যেনেকৈ চহৰৰ গাভৰুসকলে নিজক বেছিকৈ শুৱনী কৰিবৰ মনেৰে অলঙ্কাৰৰ ওপৰত অলঙ্কাৰ পিন্ধে। চহৰীয়া সকলেও নাট্যলীলাক সৰল চিতেৰে সুন্দৰ কৰিবলৈ গৈ সৌন্দৰ্য্যৰ ওপৰত সৌন্দৰ্য্য আঁৰি কুৰূপ কৰি পেলোৱা একো আচৰিত নহয়। কিন্তু কেইজন শিক্ষিত শিল্পীয়ে সিবিলাকক শুধৰাবলৈ যতন কৰিছে? সিবিলাকৰ অভিনয়লৈ কেইজন শিক্ষিত নাট্যকাৰে নাটক লিখি দিছে? কেইজন সুৰজ্ঞই সিবিলাকৰ হেৰোৱা সুৰ বিচাৰি দি ভাৱনাৰ গীত সুৱলা কৰিছে? ভাৰতৰ নাট্যলীলাৰ এই ক্ষীণ ধাৰাটি মলিয়ন কৰিবলৈ এই চহা অসমীয়া সমাজক এৰি দি আমি ঘৰৰ ভিতৰত বহি বিদ্ৰূপৰ হাঁহি, মাৰিছো, আৰু বিজতৰীয়া জুতিৰে নিজক ধন্য মানিছোঁ। ইয়াতকৈ আৰু অধঃপতন কিমান হব পাৰে? ইয়াতকৈ জাতীয় কলঙ্ক আৰু কি?

আমি পাহৰি গৈছোঁ আমাৰ জাতীয় জীৱন মানে মুষ্টিমেয় শিক্ষিত সম্প্ৰদায়ৰ জীৱন নহয়। নগৰীয়া জীৱন নকলী জীৱন—তাৰ জুতি, তাৰ শিষ্টাচাৰ, তাৰ আদব কায়দাত বিদেশৰ বিষ আছে। লাখে লাখে হোজা চহাৰ-যি জীৱন, সিহে আচল জীৱন; তাকে লৈ জগতৰ সঙ্গীত, জগতৰ নাটক জীয়াই আছে। এই জাতীয় জীৱন জীৱন্ত কৰিবলৈ হলে প্ৰাচীন গৌৰৱৰ ক্ষীণ ৰশ্মিৰে টিমিকি টিমিকি জ্বলি থকা সদৌ অসমৰ বুকুজোৰা নাট্যলীলাৰ যিটি অখণ্ড প্ৰদীপ প্ৰাণ ঢালি তাৰ যতন কৰিব লাগিব। নাট্যলীলাৰ মাজেদি জাতীয় জীৱন যেনেকৈ ফুটে বা গঠিত হয় তেনে অৱকাশ, তেনে সুবিধা আৰু কতো নাই। ভাৱনাৰ নৃত্য অভিনয়ৰ যি বেমেজালি যি বিসৃঙ্খল তাৰ ধুলি মাকতি জাৰি জোকাৰি ধুই মচি গাত খাই পৰা জিলিকা কাচোন জগতৰ পৰা আনি তাৰে সজাই পৰাই অসমীয়া মুখখনিৰ লাৱনি ফুটাই জগতৰ সভালৈ পঠাবৰ হ'ল। ভাৱনাৰ যি নাটক তাৰ মাজেদি অসমীয়াৰ আবালবৃদ্ধ বনিতাৰ হৃদয়ে হৃদয়ে আঁকি দিবৰ হ'ল—আমি কোন সোণ জিলিকা ধৱল শিখৰৰ পৰা ক'ৰ ৰসাতলৰ অন্ধকূপত নিদ্ৰাচ্ছন্ন হৈ পৰি আছোঁ। আমি জাগিব লাগিব। মুষ্টিমেয় অসমীয়াই ভাৰতৰ ইতিহাসক আকৌ অবাক কৰিব লাগিব। তাকে কৰিবলৈ হলে সকলো শিক্ষিত সমাজ অশিক্ষিতৰ বুকুত বুৰি নগলে নহব—সিবিলাকৰ উৎসাহ, সহযোগ আৰু সজ ইচ্ছা দেশ জুৰি তেহে বৈ যাব। মাজে মাজে চহৰৰ নাট্যলীলা নগৰত পতাই সিবিলাকৰ উৎসাহ বঢ়াব লাগিব, লগে লগে সিবিলাকে যাতে নগৰীয়া সকলৰ মন আকৰ্ষণ কৰিব পৰা অভিনয় পাতিব পাৰে তাৰো দিহা হব লাগে। শিক্ষিত নাট্যকাৰ সকলে সিবিলাকৰ তিথিয়ে পৰ্ব্বই পাতিবলৈ ধৰ্ম্মশিক্ষামূলক নাটক ৰচনা কৰি দিয়ক—এই নাটকৰ পৰা বিবেকহীন বৈৰাগ্যক চিৰ নিৰ্ব্বাসন কৰি এবাৰ কুৰুক্ষেত্ৰৰ কৃষ্ণৰ সেই পাঞ্চজন্য শঙ্খ ধ্বনিৰে শুনাই দিয়ক জীৱন কৰ্ম্মময়। কৰ্ম্মৰ মাজেদি অসমীয়া জাতি জাগি উঠিব লাগিব। ইয়াৰ লগে লগে আজৰীয়া বতৰত মাজে সময়ে পাতিবলৈ আৰু এক শ্ৰেণীৰ নাটকৰ ৰচনা হওক যি নাটকত চক্ষুহীন অসমীয়াৰ চকু গজি উঠিব—ইতিহাস আৰু সমাজতত্ত্বৰ মাজেদি অসমীয়াই দেখক সি কি আছিল, কি হৈছে। আৰু কি হব লাগে। বঙ্গদেশৰ অঘোৰ বাবু বা অহিভূষণ বাবুৰ যাত্ৰাৰ নাটক কেনে উপভোগৰ বস্তু—তাৰ মাজেদি বঙ্গদেশৰ সাধাৰণ লোকে কেনে জ্ঞান আহৰণ কৰিব লাগিছে! সিবিলাকৰ এই উপায় এই প্ৰেৰণাৰে আমাৰ জাতীয় নাটক ৰচনা কৰি বৰ্ত্তমান জগতৰ আলোক পৰিবলৈ অসমীয়াৰ বন্ধা দুৱাৰ মুকলি কৰি দিয়ক। অকল নাটকৰ ৰচনা হলেই নহব, শিক্ষিত অভিনেতা শিক্ষিত সঙ্গীতজ্ঞই ইয়াৰ প্ৰয়োগ যাতে চহৰীয়া সকলৰ মাজত যথাযথৰূপে হয় তাৰনিমিত্তে কায়মনোবাক্যে লাগি যাওক।

ঠায়ে ঠায়ে আমাৰ যি 'ষ্টেইজ' আছে তাত ভাৰতীয় চিত্ৰ পটাদিৰে, ভাৰতীয় গীত বাদ্যেৰে, ভাৰতীয় অভিনয়ৰ চেষ্টাৰে সৰ্ব্বাঙ্গসুন্দৰ কৰি তোলক, লগে লগে তাৰ বিজাতীয় নাম পৰিত্যাগ কৰি নাট্যশাস্ত্ৰৰ ভাৰতীয় নামেৰে

তাক বঙ্গমঞ্চত পাতি ভাৱতৰ গৌৰৱ অনুভৱ কৰিবলৈ সুবিধা উলিয়াই লওক। এই বঙ্গমঞ্চত ভাৱতৰ নাটক অভিনীত হওক। নাট্যশাস্ত্ৰই উচ্চস্বৰে উৎসাহ দিবই লাগিছে—"সেই শিল্প শিল্পই নহয়, সেই জ্ঞান জ্ঞান নহয়, সেই বিদ্যা বিদ্যাই নহয়। যাৰ স্থান নাট্যলীলাত নাই।" কি উদাৰ এই বাণী। জগতৰ সকলো ফুলৰ মধুলৈ ভাৱতীয় নাটকৰ মধুচক্ৰ ৰচনা হওক। বিষক মধু কৰিব পৰা শক্তি যদি কাৰবাৰ আছে মধু কৰক :—মুঠে মনত ৰাখিব—আমি যি কৰোঁ সি দুখৰ্ত্তৰ সুখ, শ্ৰমাৰ্ত্তৰ শান্তি, শোকাৰ্ত্তৰ শান্ত্বনা আৰু তপস্বীৰ উৎসাহৰ কাৰণ হওক, উচ্চ নীচ নিৰ্ব্বিশেষে সকলোৰে বুদ্ধি বৰ্দ্ধনৰ অনুষ্ঠান হওক। আমি যি কৰো তাৰ যেন হিতোপদেশেৰে, নানা ভাৱোৎপন্ন কৰ্ম্মসমূহেৰে অসমীয়াৰ জাতীয় গৰিমা ফুটি উঠে। আমি যি কৰোঁ সি যেন জাতিৰ ধৰ্ম্মৰ অৰ্থে, যশৰ অৰ্থে, আয়ুস আৰু মঙ্গলৰ অৰ্থে হয়; সি যেন কোনো জাতি বা ব্যক্তি বিশেষৰ নিন্দা বা অসূয়াৰ নিমিত্তে নহয়। ভাৱতৰ ঋষিয়ে নাট্যকাৰক সকলো স্বাধীনতা দি ইয়াক বিচাৰিছে। ঋষিৰ আশা পূৰণ কৰক। সেয়ে হলে ভাৱতৰ নাটকত 'চেক্‌ষৰ' প্ৰয়োজন নহব, শাস্ত্ৰিবক্ষাকৈ আইন কানুনৰ আৱশ্যক নকৰিব। সকলো পৰিবৰ্ত্তন সকলো গৰ্ব্ব তুচ্ছ কৰি নাট্যলীলাৰ "বক্ত পতাকা" অনন্ত কাললৈ অনন্ত আকাশত উৰি থাকিব।

যদি সম্ভৱ হয় মাজে মাজে কোনো নগৰত চহৰীয়া নগৰীয়া নিৰ্ব্বিশেষে সদৌ অসমৰ নাট্যলীলাৰ একান্ত সেৱকসকল মিলি নিজ নিজ কৰ্ত্তব্যৰ আলোচনা কৰিবলৈ একো একোখনি মেল পাতিব পাৰে, আৰু লগে লগে পুৰণি অসমৰ "হেজাৰ-ভাৱনাৰী" পুনৰ জীৱন দিবলৈ আয়োজন কৰিব পাৰে।

বঙ্গমঞ্চ আমাৰ বিলাসভৱন নহয়। সি নটৰাজ ৰঙনাথৰ নাট্যমন্দিৰ, অভিনয় তাৰ পূজা-উপচাৰে॥ অভিনয় উদ্‌ভ্ৰান্তৰ হাত চাপবি বা জনদিয়েকৰ মৌমাতত মজি যাবলৈ নহয়, সি নিজৰ আৰু সমাজৰ শ্ৰেয় সাধনৰ কাৰণে হে,—মানৱৰ হিত আৰু হিতকাৰীৰ আত্মতৃপ্তি তাৰ শেষ লক্ষ্য। প্ৰাণৰ পৱিত্ৰতাৰে হৃদয়ৰ ভক্তিৰে নাটাৰ অনুশীলন কৰক। বেদাঙ্গোপাঙ্গ সম্ভৱ এই চতুৰ্ব্বৰ্গ-ফলপ্ৰদ ভাৱতৰ নাট্যলীলা,—প্ৰাণ ভৰি পূজা কৰক। সিদিনা অসমে ভাৱনাত শ্ৰীকৃষ্ণ ওলালে জয়ধ্বনি কৰি গলবস্ত্ৰ হৈ প্ৰণাম কৰিছিল। সেই ভক্তি সেই পৱিত্ৰতা যতদূৰ সম্ভৱ ফিৰাই আনিবলৈ যত্নবান হওক।

নাট্যলীলা ধনত কৈ জ্ঞানৰ নিমিত্তে লালায়িত হব লাগিব। তাল, সুৰ, ভাষা আৰু অভিনয়ত পাৱদৰ্শী সকলক প্ৰাচীন ভাৱতৰ দৰে সবিশেষ সমাদৰ কৰি সিবিলাকৰ সঙ্গ সমালোচনাবে নাটকীয় সৌন্দৰ্য্য দিনক দিনে ফুটাই যাবলৈ নগৰে নগৰে চেষ্টা চলিব লাগে। ইয়াৰ লগে লগে নগৰৰ বঙ্গমঞ্চত জগতৰ নাটক আৰু নাটকীয় সমালোচনাৰ পুথিবে সৰু এটি পুথিভঁড়াল পাতিব লাগে আৰু মাজে মাজে নাট্যশাস্ত্ৰাদিৰ আলোচনা কৰি উঠি অহা অভিনেতা সকলৰ পথ পৰিষ্কাৰ কৰি দিব লাগে।

জাতীয় জাগৰণৰ আৱশ্যকতা প্ৰাণেৰে বিশ্বাস কৰি প্ৰতি নাট্যকাৰে প্ৰেৰণাৰ নিমিত্তে সাধনা কৰক নিজা প্ৰাণৰ কথা নাটকত ফুটাই তোলক; আৰু তাকে সকলো অভিনেতাই মান অভিমানলৈ সিঠি দি সকলো স্বাৰ্থ পৰিহৰি জ্ঞানৰ আলোকত জীৱন্ত কৰি অসমীয়াৰ বুকুৱে বুকুৱে আলোকৰ বেখাবে লিখি দিয়ক। অসমৰ নাট্যলীলাত যি চিৰ সত্য, ভাৱতৰ নাট্যলীলাত যি চিৰ সত্য যুগযুগান্তৰ ব্যাপি চলি আছিছে সেই সত্য সৌন্দৰ্য্যৰ সন্ধান কৰক। নাট্যলীলাৰ বিশ্বংসনীয়া অনুকৰণ কৰা জাতীয় কলঙ্ক জাতীয় অপবাদ সৰ্ব্বথা পৰিত্যাগ কৰক। এই যে শিক্ষিত অশিক্ষিত সহস্ৰ সহস্ৰ অসমীয়াৰ বাস্তৱ জীৱন—এই বাস্তৱৰ প্ৰাণত যাতে সত্যৰ বিকাশ হয় তাৰ আয়োজন কৰক। আয়োজনৰ মাজেদি জাতি জাগি উঠিব। ভাৱতৰ ভাৰতীয়ে অসমীয়াৰ শিৰত আশীৰ্ব্বাদৰ চুমা এটি দিবলৈ বুলি সেই শুভক্ষণৰ বাটলৈ চাই বৈ আছে।

"উত্তিষ্ঠ, জাগ্রত, প্রাপ্য বৰান্নিবোধত।"

ওঁ শান্তিঃ শান্তিঃ শান্তিঃ

ভক্তিমার্গ

—শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা

শাণ্ডিল্যকৃত ভক্তিসূত্রত লেখিছে—

"বাগাৰ্থ প্ৰকীৰ্ত্তি সাহচৰ্য্যাচ্চেতৰেষাম্।"

অৰ্থাৎ ভক্তিলাভৰ নিমিত্তে শ্ৰদ্ধাৰে সৈতে ভগৱন্তৰ নাম সঙ্কীৰ্ত্তন আৰু স্মৰণাদি ভগৱন্তৰ প্ৰতি অনুৰাগৰ হেতু। সপ্তম স্কন্ধ, ৫ম, অধ্যায়, ২৩ শ্লোকত শ্ৰীমদ্ভাগৱতত ইয়াকে কোৱা হৈছে :—

"শ্ৰৱণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদসেৱনম্।
অৰ্চ্চনং বন্দনং দাস্যং সখ্যমাত্ম নিৱেদনম্॥

অৰ্থাৎ

"শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ বিষ্ণুৰ অৰ্চ্চন পাদসেৱন।
দাস্য, সখিত্ব, বন্দন, বিষ্ণুত কৰিব দেহ অৰ্পণ॥"

ভগৱন্তৰ কথা আৰু গুণানুবাদ, তেওঁৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন, তেওঁক সুমৰণ, তেওঁৰ পদসেৱন, অৰ্চ্চনা, বন্দনা, তেওঁকেই এক মাথোন প্ৰভু জানি নিজক তেওঁৰ দাস বুদ্ধি ভৱা, সুখ-দুখত তেৱেঁই একমাথোন বন্ধু ভাবি তেওঁত প্ৰহ্লাদৰ নিচিনাকৈ আৰু ব্ৰজগোপীসকলৰ দৰে আত্মসমৰ্পণ কৰা এই ৯ বিধেই ভক্তিৰ লক্ষণ। ভগৱন্তই গীতাত কৈছে—

সততং কীৰ্ত্তয়ন্তোমাং যতন্তশ্চ দৃঢ়ব্ৰতম।
নমস্যন্তশ্চ মাং ভক্ত্যা নিত্যযুক্তা উপাসতে॥"

৯ম অধ্যায় ১৪, শ্লোক

অৰ্থাৎ তেওঁলোকে সদায় মোৰ নাম সঙ্কীৰ্ত্তন দৃঢ় নিয়মেৰে সৈতে প্ৰযত্ন কৰি ভক্তি সহকাৰে প্ৰণাম পূৰ্ব্বক নিত্য অৱহিত হৈ মোৰ উপাসনা কৰে।

এই দাস্য ভক্তিকে সুদৃঢ় নিয়ম-প্ৰণালীবে সৈতে অসমীয়াই শিকাই গৈছে, অসমৰ একমাত্ৰ গুৰু, পিতৃ, সুহৃদ শোধৰ, বন্ধু শ্ৰীমন্ত শঙ্কৰে—তেওঁৰ নিজৰ সুদীৰ্ঘ জীৱনেৰে আৰু কাৰ্য্যৰে আৰু উপদেশেৰে। দুখৰ কথা, আজিৰ অনেক অসমীয়াই এনে সুহৃদ, সোদৰ, বন্ধু গুৰুজনক নিচিনিলে!!! আমাৰ শ্ৰীশঙ্কৰদেৱে নিত্য অৱহিত সাত্বিক দৃঢ় নিয়ম অৱলম্বন কৰি ঈশ্বৰৰ গুণ-নাম সদায় শ্ৰৱণ-কীৰ্ত্তন কৰিবলৈ, ঈশ্বৰ প্ৰাপ্তিৰ উপায়স্বৰূপ নীতি নিয়ম বিধিবদ্ধ কৰি সকলো কাৰ্য্যৰ পদ্ধতি আমাক প্ৰাঞ্জলভাৱে দি গৈছে; সেইবোৰলৈ আওকাণ কৰি আমি ৰহুৱা হৈ পৰৱ পদ্ধতি—(যিবোৰ আমাৰ তেজ মজহুৱে কষ্মিন কালে কদাপিও খাপ নাখায়)—অৱলম্বন কৰি চলি নিজক ধন্য মানিছোঁ!! হৰি হৰি! অসমীয়াৰ আজি কি অধোগতি!!! যদিও বেজাৰত এই কথা কৈছোঁ, তথাপি কওঁ, উপাসকৰ বিভিন্নভাৱ থাকিলেও, উপাসনাৰ বিভিন্ন প্ৰণালী থাকিলেও, উপাস্য ঈশ্বৰ এক আৰু অদ্বিতীয়। সেই দেখি কবীৱে কৈছে—"নদীয়া এক ঘাট বহুতেৰা। কহে কবীৱ বাতকে ফেৰা॥" অৰ্থাৎ নদী যেনেকৈ এখন হলেও তাত অনেক ঘাট আছে, আৰু যি যি ঘাটতে স্নান কৰক, সেই একে নদীতে স্নান কৰিব, সেইদৰে যি যি দেৱতাৰে উপাসনা কৰক, বা যি প্ৰণালীৰে উপাসনা কৰক, সেই নদীত তাৰ স্নান কৰা হবই। ভাষাৰ পাৰ্থক্যত উপাস্য দেৱতাৰ পাৰ্থক্য ঘটিব পাৰে, কিন্তু সেই উপাস্য দেৱতা সাক্ষাত বা পৰোক্ষভাৱে সেই মহান পুৰুষ একমেবাদ্বিতীয়মৰে উপাসনা, কাৰণ, তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই।—সেই দেখি ভগৱন্তই গীতাত কৈছে—

"অহংক্রতুৰহংযজ্ঞঃ স্বধাহমহমৌষধম্।" ইত্যাদি।

আৰু সেই শ্লোক :—"যে যথা মাং প্রপদ্যন্তে তাংস্তথৈবভজাম্যহং, মম বর্ত্মানুবর্ত্তন্তে মনুষ্যাঃপার্থসর্ব্বশঃ।"

অৱশ্যে গোন বাট আৰু বেকা বাট, এই দুটা আছে। শ্ৰীমন্ত শঙ্কৰ গুৰুৰে দেখুৱা গোন বাট আৰু জেডুনি থকা

ঘূৰণ-পকন বাট,—এই এটা কথা ভাবিব লাগিব।
ঘূৰণ বাটে গৈ থাকিলে, পকৱাই পাব নিশ্চয়।
পোন বাটেদি গলে—একেবাৰেই ঈশ্বৰৰ সিংহাসনৰ তলত।
অকোৱা-পকোৱা বাট ধৰিলে—

"জল-যন্ত্ৰ চক্ৰে জৰি বন্ধ হুয়া
খণ্ড ঘট যেন মতে।
কতো উৰ্দ্ধ গতি কতো অধোগতি
কতোহো থাকো মধ্যতে॥
কৰ্ম্মে বন্ধ হুয়া সংসাৰ-চক্ৰত
সেহি মতে ভগৱন্ত।
ভ্ৰমো চিৰ কাল কদাচিত মই
দুখৰ নেদেখোঁ অন্ত॥" (কীৰ্ত্তন)

পৰিবৰ্ত্তন

গল্প]

—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

(১)

আমিনগাঁওৰ 'ফেৰিত' উঠা মাত্ৰকে শৰীৰ, মন, প্ৰাণ সকলো জুৰ পৰিল। খিলং যাত্ৰীৰ হেচা-চেপা, গাৰীৰ ঘট্-ঘটনি আদি ওৰে ৰাতিৰ শ্ৰান্তি দেশৰ আব-হাওৱা পাই যেন এক নিমিশতে গুচিল। তাৰ সলনি নয়নাভিৰাম প্ৰাকৃতিক দৃশ্যাৱলী, ব্ৰহ্মপুত্ৰৰ ওপৰত পুৱাৰ ৰিব-ৰিব বতাহে মোক যেন এক স্বৰ্গ ৰাজ্যলৈ আনিলে। স্বৰ্গ কিয়? ইযে স্বৰ্গাদপি গৰিয়সী জন্মভূমী! উস্ মহানগৰী কলিকতা! জহ কালত যেন নৰকপুৰী। অগ্নিকুণ্ড বুলিলেও বেছি কোৱা নহয়—বিশেষকৈ এই বছৰ ১১০ ডিগ্ৰিলৈকে তাপ উঠিছিল যেতিয়া।

মই 'ফেৰিবোট'খনত ইফালে সিফালে ঘূৰা-পকা কৰি থাকোতে এজন মানুহৰ ফালে চকু পৰিল। তেওঁ একেবাহে নীলাচল পৰ্ব্বতৰ পিনে চাই আছে। বেশ-ভূষা সাধাৰণ; কিন্তু মুখখন ডাৰি-চুলি-গোঁফে ভৰা। মনত হল—ই নিশ্চয় কোনো বঙাল, এই প্ৰদেশলৈ নতুনকৈ আহিছে। মানুহৰ আগতে সৰবৰহি দেখুৱা প্ৰবৃত্তি বহুতৰে যেনে থাকে, মোৰো তেনে আছিল; বিশেষকৈ কলিকতাত থাকি অলপ অলপ বঙলা মাত মাতি শিকিছো যেতিয়া। আগবাঢ়ি গৈ সুধিলো, তেওঁ ইয়াৰ আগেয়ে কেতিয়াবা এই প্ৰদেশলৈ আহিছিল নে নাই। তেওঁ মোৰ ফালে মুখ ফিৰাই চাই, কিছু পৰত উত্তৰ দিলে "ওঃ তই, দামোদৰ।"

মই এতিয়াহে চিনি পালোঁ—ইযে আমালোকৰ জীৱেশ্বৰ, কামেশ্বৰ ডেকাৰ পুতেক। কলিকতালৈ 'এম্ এ', আৰু 'ল' পঢ়িবলৈ গৈছিল। ঘৰৰ অৱস্থা সিমান ভাল নথকাত, এজন সহপাঠী বঙালী ডেকাই তেওঁৰ এ কুটুমৰ ঘৰত 'টিউশ্যনি' (শিক্ষকতা) বন্দোবস্ত কৰি দিছিল সেইখিনিলৈকে জনা আছিল। তাৰ পিছত আজি চাৰি বছৰৰ মূৰত দেখা। এজন কলেজীয়া ডেকাৰ ইমান ডাৰি চুলি ভবকাৰ হৈছে, তাক নো চিনিম-কেনেকৈ? আচৰিত হৈ সুধিলো—"জীৱেশ্বৰ তুমি?"

সি বুজি পালে—মোৰ এই প্ৰশ্ন আৰু উৎসুক দৃষ্টি তাৰ ডাৰি-চুলিৰ প্ৰতি। বুকুৰ পৰা এটা বদ্ধ নিশ্বাস

উলিয়াই দি প্ৰশ্ন কৰিলে "ডাৰি আৰু চুলি কেডালিয়ে ইমান পৰিবৰ্ত্তন ঘটাইছেনে?"

"সি যিয়ে নহক বাৰু, তোমাৰ এনে অৱস্থা হল কিয়, তাকে কোৱাচোন?"

"সি বহুত কথা; শুনিবলৈ তোমাৰ ধৈৰ্য্য হব জানো?"

"নিশ্চয় হব, তুমি কোৱা। চালেই মনত ধৰে ইয়াৰ ভিতৰত তিৰোতাৰ সম্বন্ধ আছে। মানুহে কয়, এক কালত কামৰূপিনীয়ে বিদেশীক ভেড়া কৰিছিল; কিন্তু কালৰ পৰিবৰ্ত্তনৰ লগত সকলো উলটি গৈছে। এতিয়া বঙালীয়ে ভেড়া কৰিব ধৰিছে বহুতক। তোমাৰো সেয়ে গতি হ'ল হব পায়।"

জীৱেশ্বৰে কথাষাৰ শুনি হাঁহি কলে—"তুমি যেনে ধেমালি ধৰিলা—মোৰ কথা শুনিলে অকল হাঁহিবাহে মাথোন, একো সহানুভূতি নাপাম। কাৰো পোৱাও নাই। বিশেষকৈ তুমি যি ভেড়া ভেড়া লগাইছা।"

কথাৰ শেহত আকৌ এটা হুমুনিয়াহ কাঢ়ি দুখৰ হাঁহি হাঁহিলে! মই গহীন হৈ কলো—"নহয়, কথাষাৰ হাঁহি উৰোৱা কথা নহয়। এই ভেড়া কৰাৰ লগত সভ্যতাৰ সম্বন্ধ আছে, তাক নুই কৰিব নোৱাৰি। চোৱা বিলাতলৈ গলে মানুহ প্ৰায় ভাগেই ভেড়া হৈ যায়, ভেড়া নামটো দিয়া নহয় অৱশ্যে। অৱস্থাৰ তাড়নাত সৰহভাগেই ঘৰলৈ উভতি আহিবলৈ বাধ্য হলেও, সেই ভেড়াত্ব গুচিব নোখোজে—সেই স্মৃতিত বিভোৰ হৈ থাকে; নিজৰ পাৰিপাৰ্শ্বিক অৱস্থাত সেই আব-হাৱা সৃষ্টিৰ ব্যৰ্থ চেষ্টাতে দিন কটায়; আপোন মানুহ লগ পালেও চিপাব খোজে—শিং নোহোৱাকৈও। বহুতে বোলে ভাতকে চিনি নোপোৱা হৈ যায়। জাপানত গলেও সেয়ে অৱস্থা। কলিকতা ইংৰাজৰ কৃপাত ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ নগৰ। এতেকে কি শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্য, বাট-ঘাট, আলি-পদূলি, ঘৰ-বাৰী, ৰেল-জাহাজ, মটৰ-এৰোপ্লেন, বিজুলী-গ্যাস, থিয়েটাৰ-বায়স্কোপ, চাৰ্কাচ-কাৰ্নীভেল, কল-কাৰখানা আদি সকলো, নৱ নৱ আৱিষ্কৃত বিজ্ঞান সম্মত উপায়ত প্ৰতিষ্ঠিত। গতিকে নানা ফালৰ পৰা সভ্য বুলি দাবি কৰে। তাত গলে যে কি অৱস্থা হয়, তাৰ প্ৰমাণ তুমি নিজেই এটা। যাৰে স্বচ্ছন্দে বহি খাবলৈ আছে, সি এবাৰ কলিকতালৈ গলে উভতি আহিব খোজে জানো? কামৰূপৰো এনে এদিন আছিল, বুজিছা? তেতিয়া তাৰ জয় জয়, ময় ময় অৱস্থা। গতিকে এবাৰ যিজনে এই দেশলৈ আহিছিল, এটা নহয় এটা কাৰণত ভেড়া হৈ গৈছিল। তাকে শুনি আজিকালি বহুতে লাজ পায়। মূৰ্খইতে নাজানে, জানিবলৈ ইচ্ছাও নকৰে যে, ইটো স্বদেশবাসীৰ বিদ্ৰূপসূচক কথা। কামৰূপ যে আছিল সভ্যতাৰ এটা মহা পীঠ। বুৰঞ্জীৰ পাত মেলি চোৱা, বঙালী লিখকেও স্বীকাৰ কৰিছে, বঙ্গদেশ যেতিয়া অনাৰ্য্য তেতিয়া প্ৰাগজ্যোতিষপুৰ তথা কামৰূপ আছিল আৰ্য্যৰ শাসনাধীন। বাৰু সি যিয়ে নহক, তুমি কোৱাচোন তোমাৰ ভেড়া হোৱা ইতিহাস অৰ্থাৎ তোমাৰ জীৱনৰ ঘটনাৱলী।"

জীৱেশ্বৰে হাঁহি কলে—"তুমি 'ভেড়া ভেড়া' নকৰিবা চোন। তোমাৰ প্ৰত্নতত্ত্ব এতিয়া এৰি দিয়া।"

"বাৰু! তুমি সিংহই—হলনে?"

* * * *

তাৰ পৰা দুয়ো গৈ এখন বেঞ্চিত বহিলোঁ। জীৱেশ্বৰে একান্ত মনে তাৰ গত জীৱনৰ কথা কবলৈ ধৰিলে।

(২)

যি বৃত্তি পাবৰ আশা কৰিছিলো, তাক নাপালোঁ; কিন্তু হতাশ হৈ অদৃষ্টক ধিক্কাৰ দি বহি নাথাকি, কলিকতা বুলি ওলালোঁ। তাক অৱশ্যে তুমি জানা। খৰচৰ নিমিত্তে অলপ ভাবনা আছিল; কিন্তু সতীশ ৰায়ে আশা দিলে, কলিকতালৈ গলে, যেনেতেনে এটা মান 'টিউশ্যনি' যোগাৰ কৰি দিব পাৰিব। দিছিলো; কিন্তু সেইটোৱে মোৰ কাল হল। সতীশ ৰায়ৰ এজন মিত্ৰ মানুহৰ ১৬।১৭ বছৰ বয়সীয়া এজনী ছোৱালীয়ে আই, এ, পঢ়ে। তাইক আৰু তাইৰ এজন সৰু ভায়েক বয়স ১৩।১৪ বছৰ মান হব। দৰমহা ঠিক হ'ল মাথো ২০৲ টকা ৰূপ। ই অৱশ্যে নিচেই সামান্য, কিন্তু ৰায়ে আৰু এটামান 'টিউশ্যনি'ৰ বন্দোবস্তৰ চেষ্টা কৰিব বুলি প্ৰতিশ্ৰুতি দিলে। চেষ্টাও

কৰিলে বহুত, কিন্তু একে শিক্ষকৰ অতিশয় প্ৰাদুৰ্ভাৱ, তাৰ উপৰত মই অসমীয়া ; গতিকে আন এটা গৃহ-শিক্ষকৰ চাকৰি পাওঁতে পলম হবলৈ ধৰিলে। ইফালে মোক বি-এ, পাছ কৰা শুনিয়েই, দেশত ছোৱালীৰ বাপেকহঁতে কন্যা সম্প্ৰদান কৰি ধন্য হবৰ বা কৰিবৰ কাৰণে পিতাক অনুৰোধ উপৰোধ কৰি ব্যতিব্যস্ত কৰি পেলাইছিল—তেওঁলোকৰে এজনৰ জীয়েকক পছন্দ কৰি, বিয়াৰ প্ৰতিশ্ৰুতি দিয়াত, মাহে মাহে কিছু টকা সহায় কৰিবলৈ ধৰিছিল। এই ভাৱে মোৰ কলিকতাৰ পঢ়া চলিবলৈ ধৰিলে।

(৩)

মোৰ ছাত্ৰীজনীৰ নাম আছিল বিভা। বিভা যথাৰ্থতে বিভা। তাইৰ লাৱণ্যময় মুখ আৰু লনি দেহাটিৰ পৰা যেন এটা স্নিগ্ধ বিভা চাৰিওফালে বিয়পি পৰিছে। ই যেন চতুৰ্দ্দশীৰ চন্দ্ৰ, আৰু এটা কলা বৃদ্ধি হলেই পূৰ্ণতা পায়গৈ। বানপানীৰে নদী উথলি উঠিছে ; আৰু অলপ বাঢ়িলেই দুয়োকুল ভৰি উপছি পৰিব—তেনেই তাইৰ মধুৰ কটাক্ষ মুখত মৃদু হাঁহি। সেই কথা কি কম তোমাক ! প্ৰথম দৰ্শনতে মোৰ মন-ভ্ৰমৰ সেই মুখপদ্মৰ ৰূপসুধা পান কৰিবৰ বাবে অন্তৰতে গুঞ্জন কৰিবলৈ ধৰিলে। কিন্তু মই বিবেক বুদ্ধিবিহীন পাষণ্ড নহও। মনক এক ধমক লগালোঁ—খবৰদাৰ ! শিক্ষক গুৰুতুল্য—ছাত্ৰী তাৰ শিষ্যা। এই পৱিত্ৰ সম্বন্ধ আছে বুলি, আজি নিৰ্জ্জনত পঢ়া কোঠালিত, তাইৰ লগত বহিবৰ সুবিধা হৈছে। নিজৰ দুৰ্ব্বল চৰিত্ৰৰ কাৰণে বিশ্বাসঘাতকতা কৰি, সেই চিৰ পৱিত্ৰ আৰু মধুৰ সম্পৰ্ক নষ্ট কৰিব খুজিছ। ছিঃ ! ছিঃ !! নিজৰ উপৰত মোৰ ঘৃণা আহিল। মনতে ভাবিলোঁ তাইৰ ফালে আৰু চোৱা নহব। লক্ষ্মণে সীতাদেৱীৰ অকল ভৰিৰ ফালে চাই ১৪ বছৰ কটাই দিয়াৰ দৰে, মই তাইৰ ভৰিৰ আৰু কিতাপৰ ফালে চাই মোৰ শিক্ষকতাৰ সময়টো কটাই দিম।

(৪)

সিদিনা আছিল এটি মধুৰ গধূলি। বিধাতাৰ স্নেহৰ দান—বঙ্গোপসাগৰৰ মিঠা বতাহে অমিয় ঢালি দিছিল। কলিকতাৰ কথা তুমি জানাই। এই দখীণ বতাহখিনি নহলে বোধকৰোঁ এই মহানগৰখন নৰকত কৈও অধম হলহেঁতেন। সি যি হ'ক, মোৰ ছাত্ৰীৰ ঘৰৰ দুৱাৰ মুখত আহি শুনিবলৈ পালোঁ—কাৰ বা অপেশ্বৰী বিনিন্দিত গীতৰ সুমধুৰ সুৰত, প্ৰৱাহিত মৃদু মন্দ মলয় যেন ভাবাবেশত শিয়ঁৰি উঠিছে—মৃদু মৃদু কঁপিব ধৰিছে। গীতৰ যে এনে উন্মাদনী শক্তি আছে তাক মই ইয়াৰ আগত কেতিয়াও উপলব্ধি কৰা নাছিলোঁ। আত্মহাৰা হৈ শুনিবলৈ ধৰিলোঁ। মোৰ বুজিবলৈ বাকী নাথাকিল কোনে গাইছে। তথাপি ছাত্ৰজনক সুধি সঠিক সম্বাদ পালোঁ—তাৰ বাইদেৱেকে গাইছে বুলি।

গীত থামিল। অলপ পিছতে মোৰ ছাত্ৰী বিভাৰ লগতে আন এজনী তাইৰ সমনীয়া ছোৱালী পঢ়া কোঠালিত সোমালহি। অচিনা তিৰোতা দেখি সসম্মানে থিয় হলো। বিভাই হাঁহি হাঁহি ছোৱালীজনীৰ লগত মোক পৰিচিত কৰি দিলে। তাইৰ নাম গীতা ; একে কলেজত একে লগে পঢ়ে।

বিভাই কলে—"দেখুন, গীতা আপনাকে দেখতে এসেছে (উচ্চাৰণ—স=s, ছ=chh), আসামীৰা দেখতে কেমনতৰ।" (অৰ্থাৎ চাওক, গীতাই আপোনাক চাবলৈ আহিছে—অসমীয়া মানুহবিলাক দেখিবলৈ কেনে)।

মই হাঁহিলো। কাৰণ এই অভিজ্ঞতা মোৰ পক্ষে নতুন নহয়। কলিকতাৰ মানুহবিলাকে, কি মতা কি মাইকী, এনেকি শিক্ষিতবিলাকেও অসম সম্বন্ধে যে কেনে অদ্ভুত ধাৰণা পোষণ কৰে তাক দেখিলে আচৰিত হব লাগে। সিহঁতৰ অজ্ঞতাৰ পৰিচয় পাই মোৰ আকৌ হাঁহি ওলায়। যি কি নহক, অলপ কথা বতৰাৰ পিছত গীতাই মোৰ 'সুভৰাত্ৰি' কামনা কৰি থিয় হল। বিভাই তাইৰ লগতে ঘৰৰ পৰা ওলাল। দুয়োৰে বিদায় সম্ভাষণৰ মাজত কেইআষাৰমান কথা মোৰ কাণত পৰিল—good luck (কপাল ভাল) আৰু romance (আচৰিত) তাৰ পিছত দুয়োৰে মধুৰ হাঁহিৰ খলকনি।

(৫)

দু'জনক একে লগে পঢ়োৱা অলপ অসুবিধা গতিকে

বিভাৰ ভায়েক মনোৰঞ্জনক আন কোঠালিত ঠাই দিয়া হৈছে। সি অকল প্ৰয়োজন হলেহে আহি সুধিব। • • মোৰ নিয়মিত দৰমহা পাই আছো ; কিন্তু বিভাৰ পঢ়া কিমান আগবাঢ়িছে সেই প্ৰশ্ন উঠিলেহে গোলমাল হব। তাইৰ সেই একেটা কথা—'পৰীক্ষাৰ তিনি চাৰি মাহমান আগৰপৰা মন দি পঢ়িলেই চলিব।' ড'ঙৰ মানুহৰ জীয়েক। সপ্তাহত অন্ততঃ দুদিন বায়স্কোপ চোৱা চলিছে। মোৰ সৈতে তাৰে সমালোচনা চলে সৰহ। ৰু ডল্‌ফ ভেলাণ্টিনো, ৰেমন্ নভেৰো, ৰবাট মণ্টগোমেৰি, ক্লাৰ্ক গেবল্, জন্ গিল্‌বাৰ্ট আদি সুদৰ্শন শ্ৰেষ্ঠ অভিনেতা সকলৰ হাব ভাব বৰ্ণনা। মাজে সময়ে গীতাইও আহি আলোচনাত যোগ দিয়ে। দুয়োৰে ভিতৰত চকুৱে চকুৱে কিবা কিবি ইঙ্গিতত কথা হয় মই, তাক তত ধৰিব নোৱাৰো।

গীতাৰ চলন ফুৰণৰ ভঙ্গিটো যেন গ্ৰেটা গাৰ্ব্বোৰ নিছিনা। কিন্তু তাই গ্ৰেটা গাৰ্ব্বোৰ নামকে শুনিব নোৱাৰে। বোলে তাইৰ ছেলেং বেলেংখন চালেই তাইৰ খং উঠে। মোৰ ইচ্ছা হয় সোধো—তেনেহলে গাৰ্ব্বোৰ ঢং অনুকৰণ কৰিব গৈ আনৰ খং তোলে কিয় ? কিন্তু বেয়া পাব পাৰে বুলি সুধা নহয়। মোৰ অনুমান হয়—আন কামিনীৰ ছল-বলনি দেখি নকলৰ লোভ এৰিব নোৱাৰিলেও, স্বজাতিৰ প্ৰতি অৰ্থাৎ নাৰীৰ প্ৰতি নাৰীৰ হিংসা এটা প্ৰাকৃতিক নিয়ম ;—এই গাৰ্ব্বোক পছন্দ নকৰাটো গীতাৰ তেনে বিধৰ ঈৰ্ষাৰ বাহিৰে আন একো নহয়।

মই কিন্তু গীতাক বৰ ভাল নাপাও। পিছে তাই উপস্থিত থাকিলে বহুত ৰঙ্গ ৰসৰ কথা ওলাই পৰে, যাৰ পৰা আলোচনাটো সাধাৰণ অৱস্থাত কৈ বহু খোলা মেলা ভাৱে হব ধৰে—গতিকে ৰসাল হৈ উঠে। এই কাৰণে তাই আহিলে আকৌ ভাল লাগে। তাই এদিন সুধিলে—"আচ্ছা, বলুন তো কামৰূপৰ মেয়েৰা নাকি বিদেশীকে পেলে ভেড়া কৰে ৰাখে, সে কিৰকমতৰ।" (অৰ্থাৎ বাৰু, কওকচোন কামৰূপৰ তিৰোতাবিলাকে নেকি বিদেশীক পালে ভেড়া কৰি পেলায় সি কেনে কথা)।

তুমি কোৱাৰ নিচিনা সঁচাকৈ মই অলপ লাজ পালো। পিছত অলপ হাঁহি মাৰি তাইক বুজাই দিলো যে—অকল ভেড়াই নহয় গৰু, ছাগলী, ম'হ আদি সকলো কৰিব পাৰে, পিছে অধিকাংশকে ভেড়া কৰি পালে পালে চাহ বাগিচালৈ চালান দিয়ে।

কথা শুনি গীতা আৰু বিভা দুয়ো আচৰিত হল। বৰ্ত্তমান কাললৈকে যে মন্ত্ৰ-তন্ত্ৰৰ এনে প্ৰত্যক্ষ শক্তি আছে তাক ভাল কৰি বিশ্বাস কৰিলে। পিছত মই সেইবোৰ মন্ত্ৰ জানো নে নেজানো তাকে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। মোৰ এবাৰ ইচ্ছা হল—তাইহঁতৰ কুসংস্কাৰ বা ভুল ভাঙ্গি দিয়া উচিত। সি সকলো মিছা বুলি কৈ দিওঁ। অৱশ্যে তেতিয়া, তুমি এতিয়াই 'ভেড়া কৰাৰ' যি যুক্তি দেখুৱালা সিবোৰ মোৰ ধাৰণাতো অহা নাছিল। কিন্তু এইটো অৱশ্যে ভাবিছিলো যে, বিজেতা কামৰূপে বঙালক দলে দলে বন্দি কৰি নিয়াৰ পৰা 'ভীকৰ' সলনি 'ভেড়া' নাম দিবও পাৰে। সি যি কি নহক, মূৰ্খ হঁতক লৈ অলপ ধেমালি বা ৰহস্য কৰিবৰ ইচ্ছা হল। 'জানো' বুলি কলো। চালো এই মন্ত্ৰৰ অধিকাৰীৰ প্ৰতি তাইহঁতৰ ভয় বা ভক্তি বাঢ়ি গল ; তাতকৈ বাঢ়িল সেই মন্ত্ৰ শিখিবলৈ আগ্ৰহ—বিশেষকৈ 'গাছ চালানি' (গছ চলোৱা) অৰ্থাৎ গছৰ ডালত বহি-মন্ত্ৰ মতা মাত্ৰকে, এৰোপ্লেনতকৈও বেগেৰে অথচ কোনো শব্দ নোহোৱাকৈ ইচ্ছামতে যতে ততে যাব পৰা মন্ত্ৰ।

(৬)

বিভাই এখন বহিত কিবা লিখিব ধৰিছে। মই ঘৰত সোমোৱা মাত্ৰকে লিখা বন্ধ কৰি মোৰ মুখৰ ফালে চাই মিচিকিয়াই হাঁহিলে। পিছত বহিখন খোলা অৱস্থাত মেজত থৈ দি, থিয় হৈ ঘৰৰ ভিতৰৰ ফালে খোজ ললে। কি লিখিছিল চাবৰ বাবে মই হোজা মনেৰে বহিখন টানি লৈ পঢ়িবৰ চেষ্টা কৰিলো। এটি অসমাপ্ত পদ্য।

"আজু নিশী অবসানে স্বপনেতে হেৰিয়া মূৰতি,
মিলাইতে দুই কায়া, গেনু হস্ত প্ৰসাৰিয়া,

কিন্তু হায় হেন কালে আসি উষা সতী
মুছিল,—জাগাল মোৰে, তব ও মূৰতি।

* * * *

কোন সি ভাগ্যৱান—কাকনো সপোনত দেখি হাত বঢ়াই গৈছিল? তলৰ 'ষ্টেঞ্জা' পঢ়িম এনেতে বিভাই আহি, চিলাই থাপ মৰাৰ নিচিনাকৈ, থাপ মাৰি বহি খন কাঢ়ি নিবৰ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। যাতে তাই ঢুকি নাপায় তেনেকৈ মই বহিখন ওখকৈ তুলি ধৰিলোঁ। বিভাই হাত বঢ়াই 'দিয়ক হেৰি দিয়ক' বুলি আগবাঢ়ি বহিখন ধৰিবলৈ চেষ্টা কৰিলে;—এনে কি, মোৰ গাত আহি পৰে পৰে হৈছে, এনেতে বিভাৰ মাকে আহি পঢ়া কোঠালিত সোমাই এই কাণ্ড দেখিলে। বিভা কোছ খাই গল; মুখখন শেতা পৰিল; নিজৰ বহা চকি খনত তলমূৰ হৈ বহিল। মই বহিখনত যেন কিবা ভুল শুদ্ধ কৰিব ধৰিছোঁ, এই ভাও দেখুৱাবলৈ ধৰিলো। কিন্তু কোনো চালাকি নাখাটিল। বিভাৰ মাকে খুজিলে—চাঁও কি কৰিবলৈ (exercise) দিছা তাইক—কেনে লিখিছে?

মোৰ অন্তৰাত্মা শুকাই গ'ল। বুকু কঁপিবলৈ ধৰিলে, এতিয়া ইমান জোৰে জোৰে হৃদযন্ত্ৰ 'ধপাচ্-ধপাচ্' কৰিবলৈ ধৰিলে—মনত হ'ল যেন সকলোৱে সেই শব্দ শুনিছে। মই কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিলো। তেওঁ বৈ নাথাকি কথাৰ লগে লগে আগবাঢ়ি আহি বহি খনত হাত দিলে। সৰ্ব্বনাশৰ আৰু পলম নাই। মোৰ মূৰ ঝিম ঝিম্ কৰিবলৈ ধৰিলে; গা ঘামিবলৈ ধৰিলে। মোৰ দৃষ্টি এবাৰ বিভাৰ ফালে গল—চালো, তাইৰ চকুযুৰি যেন পগলা কুকুৰৰ দৰে, মাকৰ গতিৰ ফালে তীক্ষ্ণ দৃষ্টি দি আছে। পলম নকৰি মাকৰ হাতৰ পৰা বহিখন কাঢ়ি লৈ কলে—নালাগে চাব, বহুত ভুল আছে। লগতে কবিতা লিখা কাকতখন বহিৰ পৰা ফালি লৈ নিজৰ মুখত সোমাই দি চোবাবলৈ ধৰিলে। দেখি তবধ মানিলোঁ। মাকেও কাণ্ড চাই আচৰিত হৈ কলে—ই কি অসভ্যতা।

বিভাই কথাৰ কোনো উত্তৰ প্ৰত্যুত্তৰ নকৰি কাকত খন চোবাইছেহে চোবাইছে। মোৰ গাৰ পৰা যেন জ্বৰ নামি গল। যিহকে সন্দেহ কৰক লাগে—প্ৰমাণ একো নাই। সন্দেহ আৰু সত্য কেতিয়াও একে নহয়। উস্ বিভাৰ দুঃসাহস! যি কি নহক তাই মাকৰ হাতত পৰিব নিদিলে—কবিতাটো।

বিভাৰ মাকেই ঘৰৰ কৰ্ত্তী, মোৰ মনিবৰ পত্নী আগত থিয় হৈ আছে, বিশেষকৈ তেওঁ এজনী প্ৰৌঢ়া শিক্ষিতা মহিলা, তাৰ উপৰত ডাঙৰ মানুহৰ ঘৈণীয়েক। মই তেওঁৰ আগত থিয় হৈ সন্মান দেখুৱাবলৈ পাহৰি গৈছিলো। এতিয়া প্ৰকৃতিস্থ হোৱাত সেই কথা মনত পৰা মাত্ৰকে থিয় হলো। তেখেতে হাত দেখুৱাই দেখুৱাই কব ধৰিলে—বহা, বহা, থিয় হব নালাগে। মই কিন্তু নবহো দেখি—জীয়েকক পঢ়িবলৈ উপদেশ দি গুচি গল। মোৰ যেন এটা শিষ্ট এৰা দিলে।

(৭)

হোষ্টেলৰ কোঠালিত শুই মনটো কিবা এবিধ লাগিব ধৰিলে। বিনা দোষত দোষী হৈ পৰিছিলো—আৰু অলপ হলে। মানুহে অনুসন্ধিৎসা গুণৰ পৰা বহুত উন্নতিৰ বাটত আগ বাঢ়িছে সঁচা, সেই বুলি প্ৰতি কথাতে অতি মাত্ৰায় কৌতূহলী হৈ পৰাটো কেতিয়াও ভাল নহয়; বিশেষকৈ যি বিষয়ত স্বাৰ্থ নাই। কি দৰকাৰ আছিল—বিভাৰ কবিতা পঢ়িবৰ! তাই খুজা মাত্ৰকে বহিখন পেলাই দিলে সকলো আপদ দূৰ হলহেতেন। তাইৰ মাকে আহি একো নেদেখিলেহেতেন। ধন্য ছোৱালী! * * * কিন্তু বিভাই এইবোৰ কবিতা কাক উদ্দেশ্য কৰি লিখিছিল? মোক, নে এনেই তাইৰ প্ৰথম যৌৱনৰ কবিতাময় প্ৰাণৰ প্ৰেৰণাৰ পৰা লিখা? কাৰণ মানুহৰ জীৱনত এনে এটা সময় আহে, যেতিয়া প্ৰায় সকলোৱে সৃষ্টিৰ সকলো বিষয়ত এটা অনবদ্য ছন্দ দেখি আত্মহাৰা হয় আৰু প্ৰাণৰ ভিতৰত সেই ভাব কবিতাৰ ছন্দত ফুটাই তুলিবলৈ বিচাৰে। বিভাৰ এতিয়া সেই বয়স। কিন্তু যিয়ে নহওঁক, কি বিপদতে পৰিছিলো! যি হবৰ হৈ গল। ভবিষ্যতলৈ মই বিশেষ সাৱধান হৈ চলিব লাগিব। আকৌ সাৱধান নো কি—দৰকাৰ নাই মোৰ এনে গৃহ শিক্ষকৰ বাব।

ঠিক কৰিলো—আৰু বিভাইতৰ ঘৰত যোৱা নহব।

কিন্তু মোৰ মন কেনেবা এবিধ অযাচিত সাফল্যৰ আনন্দত আচ্ছন্ন হৈ ৰল;—এটা প্ৰবল আকৰ্ষণত মন বিভাৰ ফালে লৰ মাৰিলে। আকাশী বাগিচাৰ কল্পনা ফুল ফুটি উঠিল।

এই ঘটনাৰ পিছ দিনা পঢ়াবলৈ নগলো। কিন্তু তাৰ পিছ গধূলি নগৈ থাকিব নোৱাৰিলো। ঘৰৰ ওচৰ পাই শুনিবলৈ পালো—বিভাৰ সেই মন উন্মাদকাৰী সুমধুৰ সঙ্গীত। এনে প্ৰলোভনৰ মাজত থকা উচিত জানো? ঘৰত সোমাম নে নোসোমাম ভাবিছো, এনেতে বিভাৰ সৰু ভায়েক মনোৰঞ্জনে ঘৰৰ পৰা ওলাই মোক দেখি কলে—"এই যে মাষ্টাৰ মশাই, আসুন। গীতা দিও এসেছে। বায়স্কোপ দেখতে যাবে সব। সঙ্গে যাবাৰ কেউ নেই, তাই আপনাৰ অপেক্ষা কোৰচে।" (এইয়া মাষ্টৰ মহাশয়, আহক। গীতা বাইদেও আহিছে। বায়স্কোপ চাবলৈ যাব সকলোৱে। লগত যাবলৈ কোনেও নাই, সেই নিমিত্তে আপোনাৰ বাট চাই আছে)।

'কোনে কোনে যাব' বুলি সুধি ঘৰ সোমালো। সি কিন্তু উত্তৰ নিদিয়াকৈ লৰ মাৰি উপৰলৈ গ'ল। অলপ পিছতে বিভা, গীতা আৰু মনোৰঞ্জন পঢ়া কোঠালি পালেহি। কোৱা বাহুল্য তিনিও সাজ-পাৰ পিন্ধি সাজু হৈ আহিছে। মোৰ চকুত বিভাৰ চকু পৰা মাত্ৰকে তাইৰ গাল দুখনত ৰতী দেৱীয়ে ৰং ছুৱাই দিলে। আনফালে চকু ঘূৰাই লৈ সুধিলে—'কালি দেখোন নাহিলে আকৌ'। কি আৰু কম! মূৰ কামুৰিছিল বুলি, মিছা মাতিলো। গীতাই তাগিদ দিলে—সময় নাই—বৰ পলম হৈ গৈছে।

ঘৰৰ মটৰ থিয় হৈ আছিল। তিনিও গৈ তাৰ ওচৰত থিয় হ'ল। মই ভাবিছোঁ—কৰ্ত্তব্য কি!—গাভৰু ছোৱালী বিলাকৰ লগত ফুৰা উচিত হব জানো? বিভা আৰু গীতাই—'উঠক উঠক' বুলি খৰ-ধৰ লগাই দিলে। কি আৰু কৰিম, বাধ্য হৈ চোফাৰৰ লগত বহিবৰ চেষ্টা কৰিলো, কিন্তু শিক্ষকৰ প্ৰতি অসম্মান দেখুৱা হয় দেখি মনোৰঞ্জনক চোফাৰৰ লগত বহিব দি, মোক বিভা আৰু গীতাৰ মাজত বহুৱাই ললে।

এই ব্যৱস্থা মনে মনে ভাল পালেও, কোনোবাই কিবা কব পাৰে ভাবি চাৰিওফালে চাব ধৰিলো কিন্তু জানিবলৈ পালো, ঘৰত কোনেও নাই—বিভাৰ বাপেক আৰু মাক কোনোবা সমিতিৰ 'সোসিয়েল গেদাৰিং' উপলক্ষে কোনোবা 'হল' লৈ গৈছে, জীয়েক আৰু পুতেকৰ কাৰণে এই 'প্ৰোগ্ৰাম' কৰি দি। * * *

(৮)

মোৰ দুয়ো কাষে দুজনী শিক্ষিতা, সুসজ্জিতা গাভৰু লৈ মোটৰ কাৰখন যেতিয়া বেগেৰে চলিবলৈ ধৰিলে তেতিয়া মোৰ মনত আনন্দৰ লগে লগে এটা অহঙ্কাৰ উপজিল। কোনো পৰিচিত বন্ধু বান্ধৱৰ লগত তেনে অৱস্থাত দেখা হয় নহয় তাকে দুয়ো পিনে চাই যাব ধৰিলো। দুই এজনৰ লগত দেখাও হ'ল, তেতিয়া মোৰ বুকুখন যেন ওফন্দি উঠিল। মোক তেনে অৱস্থাত যোৱা দেখি সিহঁতৰ হিংসা হয়নে নহয় তাকে বিশেষ কৰি নজৰ দিছিলো; কিন্তু মহানগৰী আৰু মহা অৰণ্যক একে বুলি ধৰিলেও অন্যায় নহব। কোনে কাৰ খবৰ ৰাখে, কোনে কাক গ্ৰাহ্য কৰে! মোৰ কিন্তু ইচ্ছা হব ধৰিলে—সকলোৱে মোক দেখক।

* * * *

চাৰি অনাৰ বাহিৰে আন শ্ৰেণীত বহা অভ্যাস প্ৰায় নাছিলেই; কেতিয়াবাহে আঠ আনাৰ টিকিট কিনা হৈছিল, চাৰি আনাৰ টিকেট নোপোৱাৰ কাৰণে। কিন্তু আজি চাৰিওজনে এটকা দুই আনাৰকৈ টিকিট কিনিলোঁ। মনত হব ধৰিলে আমাৰ মুখৰ আগত বহা আঠ আৰু চাৰি আনাৰ শ্ৰেণীত বহা মানুহবিলাকতকৈ আমি বহুত শ্ৰেষ্ঠ জীৱ। যদিও লোকৰ টকাৰে টিকিট কিনি ছবি চাব আহিছো। ছবি ঘৰত কিন্তু বহিবৰ ব্যৱস্থা অলপ আন বিধৰ হৈছিল। এ মূৰত মনোৰঞ্জন, আন মূৰত মই, মাজত ৰল বিভা আৰু গীতা। মোৰ ওচৰত পৰিল গীতা। মনত হল বিভা হলেই আছিল ভাল। নহলেও বিশেষ ক্ষতি নাই কাৰণ একে লগেই আছো। * * *

এম-এ পঢ়িছো। অৱশ্যে 'বাবু ইংৰাজী' হলে বুজিব পৰা গ'লহেতেন। 'টকিৰ' ইংৰাজী কথা বুজে কাৰ সাধ্য? সি কথা এতিয়া খুলি কওঁতে একো লাজ নাই। কোৱা বাহুল্য, ছবি খন আছিল সৰ্ব্বাঙ্গ সৌষ্ঠবা অৰ্দ্ধনগ্না মাৰ্কিন যুৱতী ৰমণীৰ কামোদ্দীপিকা চঞ্চলা লীলা কেলি কলাৰে ভৰ

পূৰ। তাৰ শ্ৰেষ্ঠ অংশত অৱতীৰ্ণ হৈছে তেনেই শ্ৰেষ্ঠ এক যুৱক আৰু এক পৰমা সুন্দৰী যুৱতী। সিহঁতৰ চুমাই চুমাই যুৱক-যুৱতী দৰ্শকৰ প্ৰাণত সেই সকলৰ অনুকৰণৰ এ'টা প্ৰবল স্পৃহা জন্মাই দিছে। মোৰ মনত এটা নৱঅনুভূতি আনি দিলে। ঘনে প্ৰতি মই মোৰ সঙ্গিনী দুজনীৰ ফালে চাব ধৰিলোঁ। কাৰণে অকাৰণে তাইহঁতৰ ওঁঠত হাঁহিৰ মধুৰ খলকনি উঠিবলৈ ধৰিলে।

গীতাই ঘৰৰ পৰা মাদ্ৰাজী তমোল আনিছিল। তাকে মাজে মাজে আমালোকৰ হাতত দিব ধৰিলে—আন্ধাৰত জানোচা পৰি যায় সেই নিমিত্তে মোৰ হাত এখন টানি ধৰি। "ইণ্টাৰ ভেলত' বিভাৰ হুকুমত চাৰি 'কাপ' 'আইস-ক্ৰিম্' আহিল। * * * কোনে কব বিভাৰ সুন্দৰ মুখত চুমা এই 'আইস-ক্ৰিমত' কৈ কিমান গুণে মধুৰ আৰু স্নিগ্ধকৰ।

* * * *

ওৰে বাটে দুয়োৰে ছবি সম্বন্ধে নানা আলোচনাৰ ভিতৰত প্ৰশ্ন উঠিল 'কিস্' (kiss) অৰ্থাৎ চুমাটো অশ্লীল নে ডিভাইন (devine)। মই তাৰ কি উত্তৰ দিম, অকল শুনি যাব ধৰিলো। বাদ-প্ৰতিবাদ আৰু উদাহৰণ আদি দিয়া চলিব ধৰিলে। দুয়ো মোক বিচাৰক পাতিলে; কিন্তু কাৰ ফলিয়া হৈ উত্তৰ দিম? যাৰে বিপক্ষে কথা কম সেয়ে খং কৰিব। কলোঁ "মই শ্ৰোতা"।

(৯)

দেওবাৰ মোৰ ছুটি। সোমবাৰ গধূলি পঢ়াবলৈ গৈ চালো কোনো নাই। বিভাইঁতৰ সকলোটি কালি পুৰীলৈ গৈছে। ঘৰৰ এজন চাকৰৰ হাতত এখন চিঠি মোৰ নামে লিখি থৈ গৈছে বিভাই। খুলি এখন ১০০৲ টকাৰ নোট পালো চিঠিখনৰ লগত। পঢ়ি চালো—শনিবাৰে সন্ধ্যা সময়ত বিভাৰ পিতাকে সভা কৰি থাকোতে 'ব্লাডপ্ৰেসাৰ' (Blood pressure) অৰ্থাৎ মূৰত তেজৰ হেচা বৰ বৃদ্ধি হৈছিল—প্ৰায় অজ্ঞান হবৰ উপক্ৰম হৈছিল। সমুদ্ৰৰ কূলত বায়ু পৰিবৰ্ত্তন কৰিবৰ কাৰণে চিকিৎসকে উপদেশ দি আছিল। এই ঘটনাৰ পিছত পলম নকৰি, পিছদিনা পুৰীধামলৈ গৈছে। দাৰ্জ্জিলিং, শ্বিলং আদি পৰ্ব্বতীয়া ঠাই বহুত বাৰ চালেও লৰা-ছোৱালীবিলাকে সাগৰ দেখা নাই গতিকে সকলোৱে লগতে গৈছে। কেতিয়া উভতিব, তাৰ কোনো ঠিক নাই।

টকা ১০০৲ কিয় থৈ গৈছে তাৰ একো উল্লেখ নাই। চিঠি দিয়া মানুহজনক সুধিও একো জানিব পৰা নগল। এক বিষম চিন্তাত পৰিলোঁ। যিয়ে নহক, পুৰীৰ পৰা অৱশ্যে চিঠি দিব ভাবি নিশ্চিন্ত হৈ থাকিলো।

কেইদিনমান পিছত এখন বিভাই লিখা চিঠি আহিল। তাতো টকাৰ কথা একো নাই—আছিল অকল সাগৰৰ পানীৰ ঢৌৰ আৰু জগন্নাথ মহাপ্ৰভুৰ মন্দিৰৰ বহুল বৰ্ণনা। এবাৰ তালৈ সাগৰৰ পানীৰ ধেমালি চাই আহিবৰ বাবে মোক বিশেষকৈ লিখিছে। "সাগৰৰ পাৰত ঘৰ। এই এটা ঢৌ আহিল, আকৌ এটা, আকৌ এটা, এনেকৈ অসংখ্য ঢৌৰ উপৰত ঢৌ আহিছে। আহক—আহক। নাহাকৈ নাথাকে যেন। আপুনি লগত থাকিলে এই মহান দৃশ্য দেখা সাৰ্থক আৰু চিৰস্মৰণীয় হৈ থাকিব।"

* * * *

এনে সুযোগ এৰিবৰ ইচ্ছা কোনে কৰে? বিশেষকৈ বিভাৰ সাদৰ আহ্বান। তাই নিশ্চয় তাইৰ অভিভাৱকৰ মত লৈছিল—এই বিষয়ত। এতিয়াহে বুজিলো কি কাৰণে টকা দি গৈছিল। * * * যাবলৈ যো-যা কৰিছো এনেতে মই আন এটা নতুন প্ৰলোভনত পৰিলোঁ।

(১০)

এটা শনিবাৰৰ পুৱা। মোৰ 'ৰুম-মেটে' কলে—"সিওৰ টিপ" (sure tip) আছে বলক 'ৰেস' (race) লৈ।"

ঘোৰা-দৌৰ এটা ডাঙৰ জুৱা খেল বুলি মোৰ চিৰকলিয়া বিশ্বাস। এতেকে উত্তৰ কৰিলো—"ৰেস্? 'দুখিয়াৰ ঘোৰা ৰোগ' মোৰ নাই।"

তেওঁ নিৰুৎসাহ নহৈ জোৰ দি কব ধৰিলে—"কোনো কামতে বদ্ধসংস্কাৰ ভাল নহয়। মানুহৰ জীৱনটোৱে এটা জুৱা খেলা নহয় জানো? আজি ৰজা, কাইলৈ ভিখাৰী, আজি দৰিদ্ৰ কাইলৈ ধনী, এই জীৱন এতিয়াই আছে এতিয়াই নাই! এই কাৰণে ই এটা 'সোসাইটি গেইম' (ডাঙৰ সমাজৰ খেলা)।"

মই জানো জুৱাৰীসকলৰ ই এটা ডাঙৰ কৈফিয়ৎ—এটা দাৰ্শনিক আত্ম শান্ত্বনা। এতেকে একো নামাতি অকল হাঁহিলো। কিন্তু তেওঁ সহজে এৰিবৰ পাত্ৰ নহয়। কলে—"সকলো বিষয়ত অলপ অচৰপ অভিজ্ঞতা থকা দৰকাৰ। মায়াবাদী শঙ্কৰাচাৰ্য্যেও কামশাস্ত্ৰৰ নিচিনা বিষয়কো শিকিবলৈ বাধ্য হৈছিল—অকল অভিজ্ঞতা অৰ্জ্জিবৰ বাবে। শুনক, এজন 'জকিয়ে' (ঘোৰাৰ আৰোহী) তাৰ ধোবাক এটা 'টিপ' দিছে। তাক কৈ দিছিল—যেন সম্পত্তি বন্ধক থৈও ঘোৰাটোৰ নামত ধৰে গৈ। সি ক'ত কি টকা পাব, ধৰিবৰ বাবে! সেই নিমিত্তে আহি মোক 'টিপ'টোৰ কথা কৈ দিলে। জিকিলে তাক অলপ পুৰস্কাৰ কৰিব লাগিব।"

কথা শুনি মোৰ প্ৰলোভন হল। বিভাই দি যোৱা ১০০৲ টকাৰ নোটখন এতিয়ালৈকে মোৰ হাতত আছে। তাকে লৈ মোৰ "ৰুম্-মেট'ৰ লগত ঘোৰা দৌৰলৈ বুলি গলো। কোট প্যাণ্ট নহলে 'গ্ৰেণ্ড এন্‌ক্লোজাৰত' (grand encloser) যাব নিদিয়ে, গতিকে আন এজন ছাত্ৰৰ পৰা ধাৰ কৰি লৈ পিন্ধি গলো।

আন একো কথা নাই। সেই ধোবাৰ নিৰ্দ্দেশমতে আমি দুয়ো সেই ঘোৰাটোৰ নামত এশ এশ কৰি দুশ টকাৰ টিকেট কিনিলো। মোৰ সিখিনিয়ে সম্বল। পালো তো ভাল, আৰু হাৰিলো তো গল! কিন্তু বৰাত ভালে নে বেয়া বুলি কম, আমাৰ ঘোৰাটোৱে জিকিল। টকাত ২৫৲ টকা হিচাবত পালো একোজনে ২৫০০৲ টকা কৰি। আঃ! তেতিয়াৰ যি মনৰ আনন্দ তাক আৰু কি কম। 'বুকিৰ' পৰা টকাখিনি লওঁতে হাত কঁপিবলৈ ধৰিলে। এক মুহূৰ্ত্তত ইমানবোৰ টকা! * * *

যদিও জানো ই এটা জুৱাখেলৰ বাজে আন একো নহয়, তথাপি মনত হব ধৰিলে— টকা উপাৰ্জ্জনৰ ই এটা প্ৰসস্থ উপায়। তাৰ উপৰত মোৰ 'ৰুম মেটে' বুজাই দিলে যে, 'ৰেস'ক ঠিক জুৱা বুলি কব নোৱাৰি। কাৰণ ঘোৰাৰ বংশাৱলী, বয়স, জিকাৰ বুৰঞ্জী, কোন 'জকিয়ে' পিঠিত উঠিব, 'ট্ৰেইনাৰ' অৰ্থাৎ ঘোৰাটোৰ শিক্ষক কোন আৰু 'হেণ্ডিক্যাপ' অৰ্থাৎ কিমান গধূৰ বস্তু তুলি দি ঘোৰাটোক বেগাই দৌৰিবৰ শক্তি কমাই দিয়া হৈছে নাইবা আন ঘোৰাতকৈ কিছু পাছৰ পৰা দৌৰিবৰ ব্যৱস্থা হৈছে—এইবোৰ বিষয় ভাল কৰি 'ষ্টাডি' (study) অৰ্থাৎ আলোচনা কৰিলে—Not impossible to find out the winner (কোনটো জিকিব তাক চিনি উলিওৱা অসম্ভৱ নহয়)—অনায়াসে এটা অনুমান কৰিব পাৰি কোন ঘোৰাটো জিকিব। 'গেইম অব চান্স' (game of chance) অৰ্থাৎ অদৃষ্টৰ খেলা নহয় বুলি কলে একো অন্যায় নহব। এই কাৰণে গৱৰ্ণমেণ্টে ইয়াক জুৱা বুলি নধৰি ৰজা, মহাৰজা, সৰু লাট, বৰ লাট ইত্যাদি কৰি আমালোকৰ সম্ৰাটলৈকে—'কাপ', পুৰস্কাৰ প্ৰভৃতি দিবৰ ব্যৱস্থা কৰি দি উৎসাহ হে দিছে। পিছে কিছুমান দুৰ্ঘটনাৰ (accident) পৰা হাৰা জিকাৰ তাৰতম্য হৈ যায়।

কথাষাৰ ভাল কৰি বুজিলো—মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিলো। তাতকৈও বুজিলো—যদি অলপ তদ্বিৰ কৰি গোপন খবৰ লব পাৰি কোন 'ওনাৰ'ৰ (owner) বা 'ট্ৰেইনাৰ'ৰ (trainer) ঘোৰাৰ 'ট্ৰাই' (try) আছে, কোন ওনাৰে নিজৰ ঘোৰাৰ উপৰত বহুত টকা বাজি ধৰিছে, তেনেহলে—'মাৰ দিয়া কেল্লা!' এতেকে আকৌ সেই ধোবাক খাটিবৰ ব্যৱস্থা হল। কোৱা বাহুল্য, আমি দুয়ো তাক দহ টকা কৰি ২০৲ টকা ৰূপ পুৰস্কাৰ দিছিলো। এবেলি আকৌ আন ভাল 'টিপ'ৰ বাবে ৰজক বাপাক পাঁচ টকা ৰূপ আগধৰি ভেটি দিয়া হল, কিন্তু ভাল খবৰ পোৱা নগল। জকিয়ে তাক সন্দেহ মনেৰে যি 'টিপ' দিছিল সেই ঘোৰা নাহিল। আমিও সন্দেহ মনেৰে খেলিছিলো, গতিকে সামান্যৰ উপৰেদি গল। মই হাৰিলো ১৫০৲ টকা কিন্তু মোৰ 'ৰুম্-মেটে' হাৰিলে প্ৰায় ৪০০৲ টকা; কাৰণ তেওঁ এজন পুৰণি 'খেলোৱাৰ'—বুকুৰ সাহ সৰহ।

পিছৰ শনিবাৰ আকৌ 'সিওৰ টিপ্' পোৱা গ'ল। সিদিনা বং মনেৰে কপালঠুকি ধৰি দিলো ১৫০০৲ টকা। ইবেলি নিশ্চয় ডাঙৰ মানুহ হৈ যাম বুলি বিশ্বাস কৰি বহি আছো। ঘোৰা ছুটিলে—সকলোৱে আপোন ঘোৰাৰ নাম কৰি চিঞৰিবলৈ ধৰিলে। এটা মহা হৈ হৈ ৰৈ ৰৈ শব্দ

উঠিবলৈ ধৰিল। মোৰ 'ৰূম-মেটৰ' জপিয়া জপি লাগিল আনৰ নিচিনাকৈ। কিছুমানে "হে মা কালি!" হে বাবা তাৰক নাথ! শিৱ-শিৱ-মহাদেৱ ইত্যাদি ইষ্ট দেৱতাৰ নাম লবলৈ, ধৰিছিল। সিহঁতেও ঘোৰাৰ নাম ধৰি নিচিঞৰি আৰাধ্য দেৱ দেৱীৰ নাম ধৰি চিঞৰিবলৈ ধৰিলে। মই নিশ্চিন্ত আছিলো যদিও বুকুখনৰ ভিতৰত 'ধপ ধপ' কৰিবলৈ ধৰিলে। হৈ গল, কিন্তু আমালোকৰ ঘোৰা নাহিল—গল টকাখিনি। মোৰ পৰম বন্ধুৰ নিশ্চয় কিছু বেছি গৈছে কিন্তু তেওঁ কব ধৰিলে—"কুছ্ পৰোৱা নাহি, আগলৈ 'ৰেসত' সকলোখিনি 'লস্' (loss) 'মেকাপ্' (Make up) কৰিম।' কিন্তু মুখখন হলে ঠিক মোৰ নিছিনা নহলেও—কলা পৰিছে।

ছলনাময়ী আশাই মোৰ অন্তৰত মধুৰ মুৰলী বজাবলৈ ধৰিলে। "লস্ মেকাপ্" (লোকচানখিনি তুলি লোৱা) কৰিবৰ আশাত প্ৰতি ঘোৰা-দৌৰতে যাবলৈ ধৰিলো। কিমান 'জকি' কিমান ট্ৰেইনাৰৰ খবৰ ললো; কিমান ধোবা-মেথৰ-খানচামাক কাবৌ-কাকুতি কৰিলো। কিন্তু একোতে একো নহল। এটা ঘোৰাত যদি ২০।৩০ টকা মান পাঁও আন এটা ঘোৰাত বা 'ৰেসত' তাৰ দুই তিনি গুণ কৈ ওলাই যাব ধৰিলে। ক্ৰমে মই সৰ্ব্বস্বান্ত হলোঁ। ক্ৰমে ক্ৰমে বন্ধু-বান্ধৱ, চাকৰ, বামুণ সকলোৰে ঠাইতে মোৰ ধাৰ হল।

(১১)

বিভাইঁত উভতি আহিছে। পিতাকৰ গা ভাল পাইছে। যথা সময়ত মই গৈ তাই-হঁতৰ ঘৰত হাজিৰ হলোঁ। বিভাক আকৌ লগ পাই মোৰ অন্তৰ যেন আনন্দত নাচি উঠিছে,তাইৰো অন্তৰত লুকাই থকা আনন্দ যেন চকুৱে মুখে বিৰিঙি উঠিছে। পুৰীৰ বৰ্ণনা, বিশেষকৈ সমুদ্ৰ উপকূলত ফুৰাৰ কথা যেন এক মুখে কৈ সাং কৰিব নোৱাৰা হৈছে। মই গলে যে কেনে ৰং পালেহেতেন, সি কথা নানা ভাবে বুজাই দিব ধৰিলে। টকা দি গৈছিল, যোৱা খৰচ আদিৰ কাৰণে ** আপোনজনক উভতি পোৱাৰ আনন্দৰ মাজত, মোৰ অন্তৰত এটা কথাই বৰ অশান্তি সৃষ্টি কৰিবলৈ ধৰিছিল—সাত দিনৰ ভিতৰতে যেনে তেনে মোৰ হোষ্টেলৰ 'ফি' দিবই লাগিব, নহলে ওলাই যাব লাগিব। তাৰ উপৰত কাইলৈ 'ৰেসৰ' দিন—এটা ভাল 'টিপৰ' খবৰ পোৱা গৈছে। এতেকে লাজ, মান এৰি—পানীত বুৰি যোৱা মানুহে এডাল খেৰ-কুটাকো অৱলম্বন কৰাৰ নিচিনাকৈ, বিভাকেই অকূলৰ কাণ্ডাৰী ভাবি, সকলো কথা খুলি কলো। তাই কথাষাৰ শুনি অলপ কিবা গমি চাই, সুধিলে—"কিমান টকাৰ দৰকাৰ?"

যিমান টকা খুজিম সিমানে যে তাই দিব সি আশা মই কেতিয়াও কৰা নাছিলো। বৰং যিমান খুজা যায়, দিবৰ শক্তি থকাতো, মানুহে তাৰ আধা মান কমাব খোজে। এইটো ধনী সম্প্ৰদায়ৰ এটা দস্তুৰ। ইয়াকে ভাবি আশা আৰু প্ৰয়োজনৰ অতিৰিক্ত এটা সংখ্যা যিহকে মুখত আহিল কৈ পেলালো—১০০০৲ টকা। মনত আকৌ আশাই ভুমুকি নমৰাও নহয়; কাৰণ কোনো কথা নাই বতৰা নাই যি তিৰোতাই ১০০৲ টকাৰ নোট এখন দি যাব পাৰে, তাই জানোচা দিবও পাৰে।

বিভাই শুনি অলপ গহীন হল। কিছু পৰ গমি চাই কলে—"ইমান নহব—মোৰ হাতত তিনিশ টকা ৰূপ মাথোন আছে; পিছে হাতৰ ছপাত চুড়ি বন্ধক দিব পাৰিলে অৱশ্যে হয়। চাৰে আঠ-শ টকা তাৰ বেচ, বন্ধক থলে ৪।৫ শ মান পোৱা যাব পাৰে।

মোৰ মন উলাহত ঘোৰা দৌৰৰ ঘোৰাৰ নিচিনাকৈ চিঁ হিঁ-হিঁ কৰি জপিয়াব ধৰিলে। কিন্তু বাখৰ খটোৱা সৰহ বেচৰ বস্তুবিলাক লৈ গলে জানোবা পিছত কিবা গোলমাল হয়, এই বুলি ভয় লাগিব ধৰিলে। সেই কথা বিভাক কোৱাত, তাই কলে যে—'ৰেসত' টকা জিকা মাত্ৰকে মোকলাই আনি উভতাই দিলে চলিব; কিন্তু মোকলাওতে পলম হলে বিপদত পৰিব লাগিব।***

মই এতিয়া এজন দস্তুৰ মত জুৱাৰী, এতেকে যেনে তেনে টকা লাগে। বিশেষকৈ এক মুহূৰ্ত্ততে ইমান টকা আৰ্জ্জা সম্ভৱ যে, বন্ধকি, চুড়ি নাইবা ধাৰ কৰা টকা তো সাধাৰণ কথা, সকলো সম্পত্তি—এনেকি নিজক দাসত্বলৈকে পণ কৰি 'ৰেস্' খেলিবৰ সাহ হয়। এই গল—এই আছিল। অৰ্থ সম্বন্ধে এনে 'বে-পৰোৱা' হৈছো যে, গচ্ছিত ধন নাইবা স্থাবৰ সম্পত্তিৰ কোনো মূল্যয়ে নাই মোৰ ওচৰত।—যেন খোলা গুটি।**

বিভাৰ কথা অনুসৰি কাম হল। মোক বিপদত সাহায্য কৰিব পাৰি বিভাই যেন সাৰ্থক ভাবিব ধৰিলে—অন্ততঃ তাইৰ হাব ভাব দেখি মোৰ তেনে বোধ হল।

—আৰু আছে—

প্ৰাচ্য চক্ৰৱৰ্ত্তী জাপান

—শ্ৰীযুত গণেশ চন্দ্ৰ ফুকন বি-এ

জগতৰ মহা প্ৰতাপী জাতিবিলাকৰ মাজত এছিয়াৰ এটা মাত্ৰ জাতিয়ে ঠাই পাইছে, সিয়েই হৈছে জাপান। প্ৰশান্ত মহাসাগৰৰ শান্ত জলধিত আজি প্ৰচণ্ড ধুমুহা বলিছে। শ্বেতাঙ্গ জাতি সমূহৰ গ্ৰাসৰ পৰা সুদূৰ প্ৰাচ্যক উদ্ধাৰ কৰিবলৈ জাপান আজি প্ৰস্তুত হৈছে। প্ৰায় সমগ্ৰ শ্বেতাঙ্গ জাতিবিলাক তাৰ অন্তৰায় হৈছে। এই সন্মিলিত মহাশক্তিক থমক খুৱাব পৰা শক্তি জাপানৰ কেনেকৈ হল আৰু সুদূৰ প্ৰাচ্যত জাপানৰ স্থান কোন খিনিত এই বিষয় আলোচনা কৰাই এই প্ৰবন্ধৰ উদ্দেশ্য।

জাপান—আজিৰ আৰু কালিৰ

ইংলণ্ডৰ নিচিনাকৈ শত শত শতাব্দীৰ চেষ্টাৰ ফলত জাপানে প্ৰতাপী হোৱা নাই, জাপান প্ৰতাপী হৈছে আজি দুকুৰি বছৰৰ ভিতৰত। ইমান কম সময়ৰ ভিতৰতে জগতৰ কোনো জাতিয়ে ইমান উন্নতি কৰিব পৰা নাই। জাপানৰ উন্নতি জগতৰ এটা অসামান্য ঘটনা। বৰ্ত্তমান জাপানক বুজিবলৈ হলে জাপানী জাতীয় স্বভাৱ আৰু জাপানৰ অতীত আলোচনা কৰা নিতান্ত আৱশ্যক।

বলত পৰাক্ৰমী, বুদ্ধিত তীক্ষ্ণ জাপানীৰ আহাৰ মাছ আৰু ভাত। জাপানীবিলাক মঙ্গল জাতীয় আৰু ধৰ্ম্মত বৌদ্ধ। জাপানে সভ্যতাৰ পোহৰ পাইছিল চীন দেশৰ পৰা। ভাগ্যৰ কি পৰিৱৰ্ত্তন। সেই চীন দেশৰ ওপৰত প্ৰভুত্বৰ কাৰণে জাপান আজি ব্যগ্ৰ। জাপানীবিলাকে বিদেশীক ভাল নাপায়। তেওঁলোক অত্যন্ত দেশ প্ৰেমিক, "ভগৱানক ভক্তি কৰিবা আৰু দেশক ভাল পাবা" এয়ে জাপানী ধৰ্ম্মৰ, জাপানী সমাজৰ মূল শিক্ষা। ধৰ্ম্মই জাপানীক দেশ ভক্ত হবলৈ শিকাইছে, ধৰ্ম্মই কষ্ট সহিষ্ণু আৰু কৰ্ত্তব্য পৰায়ণ হবলৈ দিছে।

পাশ্চাত্য জগতৰ সৈতে জাপানৰ প্ৰথম চিনাকি হয় ১৫৪২। চনত সেই বছৰতে এজন পৰ্টুগীজে জাপানত ভৰি দিয়ে। প্ৰাচ্যৰ ঐশ্বৰ্য্যই এই আৱিষ্কাৰৰ কাৰণ। ক্ৰমে অনেক স্পেনিছ আৰু পৰ্টুগীজ ধৰ্ম্মযাজক জাপানলৈ গৈ কেইবা হাজাৰো জাপানীক খৃষ্টান কৰে। কিন্তু বিদেশীলৈ ঘৃণা ভাব জাপানত প্ৰবল হৈ উঠে আৰু ক্ৰমে সকলো বিদেশীক তাৰ পৰা বাহিৰ কৰি দিয়া হয়। ১৮৫৩ শকলৈকে দুশ বছৰৰো ওপৰ জাপান অকলশৰীয়া হৈ থাকে। কিন্তু সেই বছৰতে যুদ্ধৰ ভয় দেখুৱাই এমেৰিকাই জাপানত বেহা বেপাৰৰ বহুত সুবিধা লয়।



জাপানী ছোৱালী বিলাকে 'এৰোপ্লেন' চলোৱা শিকিবৰ বাবে টকিঅৰ 'মুস্যাকি'ত স্কুল আৰম্ভনী দিন উপলক্ষে উৎসৱ।

বিদেশীৰ সমাগৰ লগে লগে জাপানৰ ৰাষ্ট্ৰনৈতিক বিপ্লৱ আৰম্ভ হয়। ফলত ১৮৬৮ চনত জাপানৰ সম্ৰাটে (মিকাড') হেৰোৱা ক্ষমতা পুনৰ লাভ কৰে আৰু বৰ্ত্তমানৰ 'টকিঅ'ত নতুন ৰাজধানী পাতে। লগে লগে ভীষণ সামাজিক পৰিৱৰ্ত্তন আৰম্ভ হয়। আগৰ সম্ভ্ৰান্ত লোকসকলে নিজ নিজ সুকীয়া সুবিধা আৰু ক্ষমতা এৰি

দিবলৈ বাধ্য হয়। ১৮৭২ চনত বাধ্যতামূলক সামৰিক শিক্ষাৰ আৰম্ভ হয়। ১৮৯০ চনত জাপানৰ প্ৰথম ব্যৱস্থাপক সভা বহে। যি বিদেশীক দূৰত ৰাখিবলৈ তিনিশ বছৰ ভীষণ চেষ্টা চলিছিল সেই বিদেশীৰ ৰাষ্ট্ৰ গঠন, সমাজ প্ৰণালী, শিক্ষা, সামৰিক সংগঠন বেহা-বেপাৰ সকলো জাপানে অনুকৰণ কৰিবলৈ ধৰিলে। সেই অনুকৰণৰ ফলতেই জাপান আজি প্ৰতাপান্বিত। জাপান জগতৰ শ্ৰেষ্ঠ অনুকাৰক। পাশ্চাত্য শক্তিৰ দাসত্বৰ হাত সাৰিবলৈ হলে নিজে নিজে সবল হব লাগিব—এই কথা জাপানে ভালকৈ বুজিলে। এই জ্ঞানেই জাপানৰ উন্নতিৰ কাৰণ। য়ুৰোপক অনুকৰণ কৰিয়েই জাপান শক্তিশালী হল। য়ুৰোপক অনুকৰণ কৰিয়ে তুৰ্কীয়ে নতুন জীৱন পালে।



জাপানী আখৰৰ পৰিৱৰ্ত্তে ৰোমাণ আখৰেৰে জাপানী ভাষাৰ টাইপ কৰিব লাগিছে।

আমি যি য়ুৰোপীয় সভ্যতা বোলো সি য়ুৰোপৰ সুকীয়া সম্পত্তি নহয়। ইয়াত এছিয়াৰো সম্পূৰ্ণ হাত আছে। ই এছিয়াৰো, ই কুৰি শতিকাৰ জগতৰ সভ্যতা।

চীন-জাপান যুদ্ধ

ক'ৰিয়া ৰাজ্যৰ প্ৰভুত্বৰ কাৰণে ১৮৯৪ চনত চীন-জাপানৰ যুদ্ধ আৰম্ভ হয়। এবছৰৰ ভিতৰতে জাপানে চীনক সম্পূৰ্ণ পৰাস্ত কৰে। কিন্তু জয়ৰ ফল জাপানে উপভোগ কৰিবলৈ নাপালে। এই সময়ত এছিয়াত আধিপত্য স্থাপন কৰিবলৈ ৰুছিয়াই যো-যা কৰিছিল। জাপানৰ বিজয়ত ৰুচিয়াৰ ভয় হল আৰু জাৰ্ম্মেণী আৰু ফ্ৰান্সৰ সৈতে যুক্তি কৰি জাপানৰ বিজয়ৰ ফল কাঢ়ি লৈ গল। জাপানে ভালকৈ বুজিলে—এছিয়াত জাপানৰ প্ৰধান শত্ৰু ৰুছিয়া। প্ৰতিশোধ লবলৈ জাপানে প্ৰতিজ্ঞা কৰিলে।

চীন দেশৰ স্বাধীনতাৰ দোহাই দি যদিও যুক্ত শক্তিয়ে জাপানৰ বিজয়ৰ ফল কাঢ়ি ললে, তথাপি সেই শক্তিবিলাকে ক্ৰমে বলে-কৌশলে চীনৰ পৰা বিশেষ সুবিধা লবলৈ ধৰিলে। যি আৰ্থাৰ বন্দৰ জাপানে লোৱাৰ ভয়ত এই শক্তিবিলাক সম্মিলিত হৈছিল, সেই বন্দৰ ৰুছিয়াই অধিকাৰ কৰিলে। ৰুছিয়াই দিনে দিনে নতুন নতুন ঠাইত আধিপত্য স্থাপন কৰা দেখি য়ুৰোপীয় শক্তি সমূহৰ ভয় হল। কিন্তু এওঁলোকৰ কথালৈ ৰুছিয়াই কাণ নিদিলে। ১৯০২ চনত সম্পূৰ্ণ সমান ভাবত জাপান আৰু ইংলণ্ডৰ মাজত সন্ধি হয়। এটা বগা আৰু এটা কলা জাতিৰ মাজত সমান ভাবত সন্ধি হোৱা বৰ্ত্তমান যুগত এয়ে প্ৰথম আৰু এই সন্মান এছিয়াৰ ভবিষ্য নেতা জাপানৰ।

এই সন্ধিৰ কাৰণে জাপানৰ সাহ বাঢ়িল। জাপানৰ দুবছৰৰ বৃথা চেষ্টাৰ ফলতো যেতিয়া ৰুছিয়াই অলপো ভ্ৰূক্ষেপ নকৰিলে তেতিয়া যুদ্ধই এক মাত্ৰ উপায় ৰল। ১৯০৪ চনত ৰুছ-জাপান যুদ্ধ আৰম্ভ হয়। ৰুছিয়া সম্পূৰ্ণ পৰাস্ত হয়। ১৯০৫ চনত প'ৰ্টচমাউথ সন্ধিৰ ফলত ৰুছিয়াই ক'ৰিয়াত জাপানৰ সুকীয়া স্বাৰ্থ মানি ললে। দুয়ো পক্ষই মাঞ্চুৰীয়া এৰি দিবলৈ সম্মত হ'ল আৰু ৰুছিয়াই জাপানক আৰ্থাৰ বন্দৰ আৰু দক্ষিণ ছাঘালিন এৰি দিলে। চুক্তিৰ মতে ক'ৰিয়া স্বাধীন থাকিব লাগিছিল, কিন্তু ১৯১০ চনত জাপানে ক'ৰিয়া অধিকাৰ কৰিলে।

ৰুছ-জাপান যুদ্ধত জাপানৰ বিজয় জগতৰ এটি চিৰ স্মৰণীয় ঘটনা। বৰ্ত্তমান যুগৰ ইতিহাসত প্ৰথম, এটা প্ৰাচ্য শক্তিয়ে এটা পাশ্চাত্য শক্তিক পৰাজয় কৰিলে আৰু ইয়াৰ

ফলত জাপানক জগতৰ এটা মহাশক্তি বুলি সকলোৱে স্বীকাৰ কৰিলে। দলে-বলে, কলে-কৌশলে ৰুছিয়া জাপানতকৈ বলী আছিল। দেশ ভক্তি আৰু কৰ্ত্তব্য জ্ঞানে কিমান আচৰিত কাম সমাধা কৰিব পাৰে—জাপান তাৰ



জাপানী সকলে পাশ্চাত্যৰ গ্ৰহনীয় বিষয় বিলাক গ্ৰহন কৰিলেও নিজত্ব এৰি দিয়া নাই। এই ছবি জাপানী ছোৱালী সকলৰ এখন স্কুলৰ ছবি। এই স্কুলৰ বিশেষত্ব হৈছে—জাপানী জাতীয়তা ৰক্ষা কৰি আদৰ্শ তিৰোতা হবলৈ শিক্ষা দিয়া। ইয়াত জাপানৰ ডাঙৰ ডাঙৰ ব্যৱসায়ী, ধনী আৰু ডাঙৰ ডাঙৰ বিষয়া সকলৰ ছোৱালী বিলাকো ভৰ্ত্তি হয়।

শ্ৰেষ্ঠ নিদৰ্শন। ক'ৰিয়া আৰু ছাঘালিন অধিকাৰ কৰি জাপানে এছিয়াৰ চক্ৰৱৰ্ত্তীত্বৰ জখলাৰ প্ৰথম খাপত ভৰি দিলে, প্ৰাচ্য ৰবি উদয় হল। তাৰ দিপ্তিত এছিয়াৰ মুখ জিলিকি উঠিল। এছিয়াৰ কলা শক্তিবিলাকৰ টোপনি ভাঙ্গিল। এওঁলোকে তেতিয়া বুজিব পাৰিলে, শ্বেতাঙ্গ অজেয় নহয়। জাপানৰ জয় ক্ষেত্ৰতেই নব এছিয়াৰ আভিৰ্ভাৱ। আন হাতে এই জয়েই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰো মূল কাৰণ। ইয়াতেই তুৰ্কীৰ নতুন জীৱনৰ আৰম্ভ।

মহা সমৰ আৰু জাপান

মহা সমৰত জাপানে দুটা কাৰণে যোগ দিছিল। প্ৰথম, ১৯০২ চনৰ সন্ধিৰ মতে জাপানে ইংলণ্ডক সহায় কৰিবলৈ গাত লৈছিল। যুদ্ধৰ আৰম্ভতে ইংলণ্ডৰ আহ্বানত প্ৰাচ্যত ইংলণ্ডৰ বেহা-বেপাৰ ৰক্ষা কৰিবলৈ জাপানে গাত ললে। দ্বিতীয় আৰু প্ৰকৃত কাৰণ আছিল প্ৰতিশোধ। চীন-জাপান যুদ্ধৰ বিজয়ৰ ফল কাঢ়ি নিয়াত জাৰ্ম্মেণীৰো যোগ আছিল। জাপানে ঠিক কৰিলে এয়ে প্ৰতিশোধৰ সময়। যুদ্ধৰ আৰম্ভতে জাপানে কিয়াউচাউ আৰু মাৰ্চ্ছেল দ্বীপ জাৰ্ম্মেণীৰ পৰা কাঢ়ি ললে। সন্ধিৰ ফলত চাণ্টুং প্ৰদেশত জাৰ্ম্মেণীৰ সকলো ক্ষমতা আৰু সুবিধা জাৰ্ম্মেণীয়ে জাপানক দিলে আৰু আন্তৰ্জাতিক সঙ্ঘৰ প্ৰতিনিধি হিচাবে জাপানৰ ওচৰৰ আগৰ জাৰ্ম্মেণীৰ দ্বীপবিলাকৰ শাসন ভাৰ জাপানে ললে।

চীন

প্ৰাচ্য সমস্যাৰ প্ৰধান সমস্যা হৈছে চীন। নামত স্বাধীন হলেও ১৯ শতিকাৰ মাজ ভাগৰ পৰা সেই দেশত বিদেশীৰ ক্ষমতাই বেছি। এনেয়ে গৃহ কন্দলত চীন দুৰ্ব্বল আৰু জৰাজীৰ্ণ,—তাতে জাপানৰ হাতত পৰাজয়। সেই সুবিধা লৈয়েই য়ুৰোপীয় জাতি সমূহে ক্ৰমে ক্ৰমে ক্ৰমে বলে বুদ্ধিয়ে চীনৰ অস্তিত্ব লোপ কৰিবলৈ বিচাৰিলে। চীন-জাপানৰ যুদ্ধৰ পিছত জাতি সমূহে ঘোষণা কৰিছিল—চীন স্বাধীন থাকিব—সকলো জাতিৰ কাৰণে চীনৰ দুৱাৰ মুকলি থাকিব—সকলো জাতিৰ তাত সমান সুবিধা থাকিব। সেই ঘোষণা কালৰ সোঁতত উটি গল। তিল তিল কৈ বিদেশীৰ গ্ৰাসত চীন জাহ যাবলৈ ধৰিলে। প্ৰত্যেক



জাপানী তিৰোতা সকলৰ টেনিচ টুৰ্ণমেণ্ট—জাপানত বসবাস কৰা সকলো জাতিৰ তিৰোতাই ইয়াত যোগ দিব পাৰে।

জাতিয়েই যিমান পাৰে সুবিধা আদায় কৰিলে। বিদেশীৰ অৰিয়া অৰিত চীনৰ নিজৰ কথা তল পৰিল। মহা সমৰৰ পিছত জাৰ্ম্মেণী সুদূৰ প্ৰাচ্যৰ পৰা আঁতৰিল যদিও বাকী জাতিবিলাকৰ প্ৰভাৱ বেছিহে হল। ১৯২১ চনত চীনৰ স্বাধীনতাৰ মাত্ৰ নামটোহে বাকী

ৰৈছিল। প্ৰত্যেক জাতিৰ তাত নিজ নিজ ডাকঘৰ আছিল, নিজ নিজ আদালত আছিল, নিজ নিজ সমৰ সজ্জা আছিল, বেহা-বেপাৰ আছিল সম্পূৰ্ণ বিদেশীৰ হাতত। চীনৰ শুল্ক, কৰ-কাটল সকলো বিদেশীৰ সুবিধাৰ অৰ্থে ঠিক কৰা হৈছিল। এইবিলাক কোনো বিষয়তে "স্বাধীন" চীনৰ কোনো হাত নাছিল। চীনৰ প্ৰত্যেক প্ৰদেশৰ নিজ নিজ শাসনতন্ত্ৰ আছিল। প্ৰত্যেক নায়কৰ নিজ নিজ সৈন্যদল আছিল। এই প্ৰদেশবিলাক আৰু এই নায়কবিলাক নানকিং চৰকাৰৰ কোনো ৰকম বশীভূত নাছিল। দলে দলে ডকাইতে দেশ লুটিছিল, দমন কৰিবলৈ কোনো নাছিল।

চীনৰ এনে অৱস্থা দেখি প্ৰত্যেক জাতিৰ ভয় হল। প্ৰত্যেকৰে প্ৰত্যেকৰ কাৰণে ভয়। কাৰণ সকলোৱে ভালকৈ



জাপানী নেত্ৰী এগৰাকীয়ে জাপানী তিৰোতাৰ অধিকাৰৰ বিষয়ে বক্তৃতা দিছে।

বুজিছিল যে এটাই চীন লব পাৰিলে বাকীবিলাকে পিছ দিনাই তাৰ পৰা টালি-টোপোলা বান্ধিব লাগিব।

এই সমস্যাৰ সমাধান কৰাও ১৯২১ চনৰ ৱাছিংটন সম্মিলনৰ এটা উদ্দেশ্য আছিল। জাতি সমূহৰ অৰিয়া অৰিত দৰাচলতে সমস্যাৰ একো সমাধান নহল।

জাপানৰ নৌবাহিনী দৈনিক সবল হৈ অহাত ইংলণ্ড আৰু এমেৰিকাৰ বুকু কঁপিল। এওঁলোকে ভালকৈ বুজিছিল



জাপানী তিৰোতাৰ ভোটাধিকাৰৰ দাবি কৰিবলৈ টকিও নগৰত বহা সমস্ত জাপানৰ তিৰোতা প্ৰতিনিধি সকলৰ এখন সভা।

যে ইয়াৰ ফল হয় যুদ্ধ নহয় প্ৰশান্ত মহাসাগৰত জাপানৰ একাধিপত্য। এই সমস্যা আলোচনা কৰাই ৱাছিংটন সম্মিলনৰ মুখ্য উদ্দেশ্য আছিল। তাত ঠিক হল—ইংলণ্ড আৰু এমেৰিকাৰ প্ৰত্যেক ৫ খনৰ ঠাইত জাপানে ৩ খন যুদ্ধ জাহাজ ৰাখিব পাৰিব।

জাপান আৰু এমেৰিকা

এই চুক্তিত চহী কৰিবলৈ জাপান বাধ্য হল। কিন্তু পেটে পেটে জাপানে অলপো ভাল নাপালে। দেশ ব্যাপি আন্দোলনে সেই ভাব প্ৰকাশ কৰিলে। ইয়াৰ কৰ্ত্তা এমেৰিকাৰ ওপৰত জাপান খৰ্গ হস্ত হল। আৰু বহুত কাৰণত জাপান আৰু এমেৰিকাৰ পেটে পেটে বিৰোধ হল। ইংলণ্ড আৰু জাপানৰ সন্ধি সাঙ্গ কৰাত প্ৰধান দোষী এমেৰিকা। বেহাবেপাৰ লৈও দিনে দিনে প্ৰাচ্যত এমেৰিকাৰ স্বাৰ্থ বাঢ়ি আহিছে। ইয়াতো জাপানৰ সৈতে সঙ্ঘৰ্ষ হব পাৰে। এমেৰিকালৈ জাপানী বাসিন্দা যাবলৈ মানা কৰাও আন এটা কাৰণ।

দুয়ো পক্ষই বিনা যুদ্ধে সাৰিবলৈ চেষ্টা কৰি আহিছে। ৰুছিয়াৰ লগত জাপানৰ বিজয়ত এমেৰিকাই অলপ ভয় খালে। প্ৰেচিডেণ্ট থিয়ডাৰ ৰুজভেল্টে জাপানক সন্তুষ্ট

কৰিবলৈ বিচাৰিলে। ১৯০৪ চনত আৰু ১৯১৭ চনত এছিয়াত জাপানৰ সুকীয়া স্বাৰ্থ আছে বুলি এমেৰিকাই স্বীকাৰ কৰিলে। কিন্তু এই বন্ধুত্ব বেছি দিন নাথাকিল।



জাপানী আখৰৰ নমুনা

১৯২৪ চনত সেই এমেৰিকাই জাপানী বাসিন্দাৰ কাৰণ এমেৰিকাৰ দুৱাৰ বন্ধ কৰিলে। জাপানত তুমুল আন্দোলন চলিল। উন্মাদ জনৰবে চিঞৰি উঠিল "প্ৰতিশোধ।"

কিন্তু মন কৰিব লগীয়া এইটোহে যে জাপানৰ প্ৰাচ্য চক্ৰৱৰ্ত্তীত্বৰ ভাব প্ৰেচিডেণ্ট থিয়ডাৰে ব্যক্ত কৰিছিল। তেওঁ কৈছিল, যে যেনেকৈ এমেৰিকাৰ ওচৰৰ দুৰ্ব্বল ৰাজ্যবিলাকক এমেৰিকাই য়ুৰোপৰ হাতৰ পৰা ৰক্ষা কৰিছিল (Munroe Doctrine)—তেনেকৈ জাপানেও এছিয়াৰ দুৰ্ব্বল জাতিবিলাকক ৰক্ষা কৰি আশ্ৰয় দিব পাৰে, তেনে উদ্দেশ্যত তেওঁ সহায় কৰিব।

আজিৰ ৰুজ্‌ভেল্টে এই বিষয়ে ভাবিছে কি? আজি এমেৰিকাই অতিশয় শক্তিসম্পন্ন উৰাজাহাজ চীনক সাজি দিছে—চীনৰ বিমান বীৰক শিক্ষা দিছে আৰু সকলো প্ৰকাৰে চীনক সবল হবলৈ সহায় কৰিছে। কিন্তু জাপানে খোলা কথা কৈ দিছে। অলপতে ক'কি হিৰটাই ঘোষণা কৰিছে "চীনৰ কাৰণে কি ভাল তাক অকল জাপানেই বিচাৰ কৰিব," ক'কি হিৰটাই চীনৰ বিষয় যি কয় তাত সন্দেহ নাই। চীনৰ বিষয় হিৰটাই যিমান জানে জগতত কোনেও সিমান নাজানে। সামান্য শীল কটীয়াৰ পুতেক হিৰটাই ক্ষুদ্ৰ কেৰাণি গিৰিৰ পৰা নিজ দক্ষতাৰে কেনেকৈ আজি জাপানৰ বৈদেশিক বিষয়ৰ মন্ত্ৰী হৈছেগৈ—কেনেকৈ আজি, "এছিয়াৰ নৱ বিছমাৰ্ক" নাম পাইছে—সেই বিৱৰণ জগতৰ এখন শ্ৰেষ্ঠ জীৱনী হব। ঠাইৰ অভাৱত তাক আজি বাদ দিব লগা হল।

ৰুছিয়া আৰু জাপান

ৰুছ-জাপান যুদ্ধত পৰাজয়ৰ পাছৰ পৰাই ৰুছিয়াই প্ৰতিশোধ লবলৈ যোগাৰ কৰি আহিছে। ৰুছিয়াৰ ৰাষ্ট্ৰ বিপ্লৱৰ পাছত ৰুছিয়াৰ উদ্গণিত পশ্চিম চীন প্ৰায় কমিউনিষ্ট হল। লগে লগে ৰুছিয়াৰ প্ৰভাৱ বাঢ়ি আহিবলৈ ধৰিলে। পশ্চিম মঙ্গলীয়া আৰু চাইনিজ তুৰ্কীস্থান আজি দৰাচলতে ৰুছিয়াৰ অধীন। উন্নতি কৰিবলৈ হলে ৰুছিয়াক বৰফ হীন বন্দৰ লাগে। তেনে



এটি কামৰ বাবে শ শ জাপানী তিৰোতাই আবেদন কৰি টকিও মিউনিচিপেলিটিৰ অফিচৰ আগত হাজিৰ হৈছে।

বন্দৰ আছে চীনত। চীনৰ বন্দৰৰ ৰুছিয়াৰ নিতান্ত আৱশ্যক।

জাপানের অভিপ্রায়

জাপানক চীনৰ প্রভূত্ব কিয় লাগে? তাৰ কাৰণ দুটা—আৰক্ষক আৰু ভয়। জাপানৰ মাটিৰ আৱশ্যক। জাপান আকাৰত এখন সৰু দেশ, তাৰে বেছি ভাগ পৰ্ব্বতীয়া। মাত্ৰ এক ষষ্ঠাংশ ভাগ মাটিৰ খেতি হয়। তাতে প্ৰতি পালিত হৈ লাগে সাত কৌটিৰো বেছি প্ৰাণী। কিন্তু মাটি পায় ক'ত? এমেৰিকা, অষ্ট্ৰেলীয়া আদি শ্বেতাঙ্গ দেশত জাপানীৰ কাৰণে দুৱাৰ বন্ধ।

দ্বিতীয় কাৰণ হৈছে ভয়। জাপানে ভালকৈ বুজিব পাৰিছে চীনে নিজৰ স্বাধীনতা বজাই ৰাখিব নোৱাৰে। এটা নহয় এটা জাতিয়ে চীন লবই। সেয়ে হলে জাপানৰ



জাপানী সৈন্যই চীনৰ হেহল প্ৰদেশৰ প্ৰাচীৰ বন্ধা চীনা সৈন্য সকলক আক্ৰমণ কৰিবলৈ ঘিৰ পাহাৰ বগাই উঠিব লাগিছে

বেহা-বেপাৰ যে ধ্বংস হবই নিজৰ স্বাধীনতাৰ ফালেও টনা টনি পৰিব। আজি জাৰ্ম্মেণীয়ে ফ্ৰান্স দখল কৰি কাণিলৈ ইংলণ্ডৰ ওপৰত বৰ টোপ টোৱালে ইংলণ্ডে গিমান ভয় খাব—জাপানৰো ঠিক সেই একে ভয়েই। তাৰোপৰি যি দিনালৈকে ব্লাডিভষ্টকত থকা ৰুচিয়াৰ উৰা জাহাজে দুঘণ্টাৰ ভিতৰতে জাপানৰ ৰাজধানী ধ্বংস কৰিব পৰা হৈ থাকিব, সেই দিনালৈকে জাপানৰ শান্তি নাই। এনে ভয়ত দিন কটোৱা অসম্ভৱ। এই ভয় আঁতৰিব, যদি জাপানে চীনৰ একাধিপত্য লাভ কৰে—তাৰ পৰা কিছুমাত্ৰ আঁতৰ কৰিব পাৰে।

যুদ্ধ হবনে?

এই প্ৰশ্নৰ উত্তৰ সহজ নহয়। যুদ্ধৰ বাহিৰে যে অন্য একো সমস্যা সমাধান কৰিব পাৰিব, তাৰ আশা কম। কিন্তু বেগতে যুদ্ধ হোৱাও অসম্ভৱ। এমেৰিকাক চীন লাগে—লাগে চীনৰ স্বাধীনতা—চীনৰ বেহা-বেপাৰ। এমেৰিকাক লাগে জাপানৰ দুৰ্ব্বলতা। কিছিমাক দুৰকাৰি—চীন অধিকাৰ কৰি—জানো জাপানে এমেৰিকাৰ এনেয়ে পৰি থকা মাটিৰ ওপৰত চকু দিয়ে এয়ে এমেৰিকাৰ ভয়। হঠাৎ যুদ্ধ কৰি যে জিকিব পাৰিব সেই আশা এমেৰিকাই নকৰে। জিকিলেও ক্ষতিৰ পৰিমাণে লাভ নহয়। পৰাগফত এমেৰিকাই যুদ্ধ নকৰে। কিছুমাৰ সৈতে হিচাব-নিকাহ নকৰাকৈ জাপানেও এমেৰিকাৰ সৈতে কাজিয়া নকৰে, কৰিলেও জিকাৰ আশা কম।

কাছিয়া জাপানৰ যুদ্ধ প্ৰায় অনিবাৰ্য্য। কিন্তু বৰ্ত্তমান এক পক্ষও তাৰ কাৰণ সাজু নহয়। কিছিমাত এতিয়া অভূতপূৰ্ব্ব ৰাষ্ট্ৰনৈতিক আৰু অৰ্থ নৈতিক সাল বদল হৈছে। এনে সময়ত যুদ্ধৰ কাৰণে কিছিয়া অপ্ৰস্তুত। ইফালে পশ্চিম ডুৱাৰত জাৰ্ম্মেণী গৰজি আছেই। কিন্তু সময় সজাৰ অলপো ত্ৰুটী হোৱা নাই। ঘকৰা কাৰ্য্য সম্পন্ন কৰিছেই খুব সম্ভৱ কিছিয়াই যুদ্ধ আহ্বান কৰিব। জাপানে ভালকৈ জানে যে ক্ষতিৰ তুলনাত যুদ্ধৰ পৰা একো লাভ নহব। মানচুকু বিজয়ৰ ফলকেই ভালকৈ উপভোগ কৰিব পৰা নাই—নতুন বিজয়ৰ ফল অতি দুৰত। বৰ্ত্তমানে যুদ্ধ হাত সাৰিবলৈকে কিছিয়াই জাপানক চাইনিজ ৰেষ্টাৰ্ণ ৰেইল্‌ৱে বিক্ৰি কৰিবলৈ প্ৰস্তুত হল। কিন্তু দিন বিমান বাঢ়ি গৈছে সমস্যা সিমান জটিল হে হৈছে—সমাধান নহয়।

বৰ্ত্তমান অৱস্থা

১৯৩১ চনৰ পৰা প্ৰাচ্য সমস্যাৰ নতুন যুগ। যদিও ৱাছিং টনত নটা শক্তিয়ে চীনৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিব বুলি ঘোষণা কৰিছিল, ১৯৩১ চনত জাপানে চীনৰ অন্তৰ্গত মানচুকু অধিকাৰ কৰিলে। মিঃ পু য়ুক মানচুকুৰ স্বাধীন সম্ৰাট বুলি ঘোষণা কৰি জগতক কলে "এই

সিংহাসন অতি পুজা, ইয়াৰ অন্তৰ্গা কৰিবলৈ কাকো এৰি দিয়া নহব।" আজি এমাহৰ আগতে জাপানে বহু যুকীয়া সুবিধা দিবলৈ চীনক বাধ্য কৰিলে। কছিয়া আৰু এমেৰিকাই মাত্ৰ সভয়েৰে চাই থাকিল। জাপানক বাধা দিবৰ সাধ্য কাৰ?



জাপানী সৈন্যই চীনৰ প্ৰাচীৰৰ এখন দুৱাৰ অধিকাৰ কৰিছে

জাপান আৰু চীন দুয়ো অন্তৰ্জাতিক সঙ্ঘৰ অন্তভূক্ত আছিল। সেই সঙ্ঘৰ চুক্তি মতে জাপানে চীনক আক্ৰমণ কৰাত সঙ্ঘ ভুক্ত অন্য জাতিবিলাকে জাপানৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিব লাগিছিল, কিন্তু ক'ত? অক্ষম বুলিয়েই হওক বা নিজৰ ভিতৰৰ বিয়য়া বিষয়িৰ কাৰণেই হওক জাতি সঙ্ঘই জাপানৰ বিজয় সহ কৰিবলৈ বাধ্য হল। জেনেভাত বহুতে ওজস্বিনী বক্তৃতা দিলে। এজন কমিছনাৰ আহি চাই চিতি গৈ বিপৰ্ট দিলে। যেতিয়া অন্তৰ্জাতিক সভাই জাপানক এই কামৰ কাৰণে গৰিহনা দিলে, জাপানে সেই সঙ্ঘ ত্যাগ কৰিলে। সেই সঙ্ঘৰ পাঁচটা প্ৰধান জাতিৰ ভিতৰত জাপানো এটা আছিল। সঙ্ঘ ত্যাগ কৰাত সঙ্ঘৰ প্ৰতিনিধি হিচাবে শাসন কৰা ৰাষ্ট্ৰপতিক জাপানে সঙ্ঘক ঘুৰাই দিব লাগিছিল, কিন্তু নিদিলে। জাপানৰ অৱস্থাত অন্য যি কোনো জাতিয়ে যি কৰিলেহেঁতেন জাপানেও ঠিক তাকেই কৰিলে। নৌ বাহিনী নিৰ্ব্বাৰণ কৰা লণ্ডন চুক্তিকো আৰু নামানো বুলি জাপানে অলপতে ঘোষণা কৰিলে। জাপানে বিচাৰে ইংলণ্ড আৰু এমেৰিকাৰ সৈতে সমান নৌ বাহিনী। আজি জাপান অন্তৰ্জাতিক বন্ধনৰ পৰা মুক্ত।

জাপানে প্ৰাচ্যৰ আধিপত্য লাভ কৰিব পাৰিবনে? যদি চীনে উপযাচি জাপানৰ আশ্ৰয় লয় তেন্তে তাত কোনো সন্দেহ নাই। জাপানে সময়ত কাৰো কৰিছে—সময়ত ভয় দেখাইছে। তথাপি চীনে শুনে, চীনে ভাবিছে—জাপানৰ আশ্ৰয় মানে দাসত্ব হব। আজি চীন য়ুৰোপৰ দাসত্বত নাইনে? বোধ হয় নিজ জাতীয় ওচৰ চুবুৰীয়া জাপানৰ দাসত্বতকৈ চীনে শ্বেতাঙ্গৰ দাসত্ব ভাল পায়। আমাৰ ক'লা মানুহৰ সেয়ে মনোভাব। সেই কাৰণেই আজি ক'লা জাতি সমূহ ধ্বংসৰ পথত। যুদ্ধত জাপানে চীনক অতি সহজে পৰাস্ত কৰিব পাৰিব। কথা হৈছে কছিয়াৰ পৰা। কছ-জাপান যুদ্ধ মানে এহাতে জাপান আৰু জাৰ্ম্মেণী অনহাতে কছিয়া আৰু ফ্ৰান্স। ইংলণ্ড, ইটালী, আৰু এমেৰিকাই কি কৰিব? এই অনিশ্চয়ৰ মাজত জাপানৰ প্ৰাচ্য চক্ৰৱৰ্ত্তীত্বও অনিশ্চিত। চীনৰ আধিপত্যতেই জাপান ক্ষান্ত থাকিবনে? এছিয়াৰ উদ্ধাৰকৰ্ত্তা হিচাবে জাপান থিয় দিবনে? এদিন জাপানে কবলৈ সাহ কৰিবনে—এছিয়াৰ পৰা আঁতৰ হোৱা। নহলে চিঙ্গাপুৰত বৃটিছৰ এই সুবৃহৎ সমৰ সজ্জা কিয়? জাপানৰ বাহিৰে কালৈ এই যুদ্ধ জাহাজ? ভবিষ্যতেই এই প্ৰশ্নৰ উত্তৰ দিব।



জাপানৰ অধীনলৈ যোৱা মাঞ্চুৰ বাজাৰ বাষ্ট্ৰলৈ জাপান সম্ৰাটৰ পক্ষৰ পৰা সমান প্ৰদৰ্শন।

জাপানৰ "দাসত্ব"কেনে ধৰণৰ? তৰ্ক কৰি লাভ নাই। জাপানৰ বিপক্ষে সংবাদদাতা সকলৰ সংবাদতো কোনো মূল্য নাই। (আমাৰ দেশত এই সংবাদ মাজে পোৱা যায়)। জাপানী "দাসত্ব"ৰ শ্ৰেষ্ঠ উদাহৰণ মানচুকু। নামত মাত্ৰ স্বাধীন, তাত কোনো সন্দেহ নাই; কিন্তু আজি তাৰ অৱস্থা কি? আজি তাত প্ৰচুৰ বেহা-বেপাৰ, শত শত মাইল

বেলৰ আলি, সুন্দৰ আলি-পদুলি, শান্ত সুশৃঙ্খল শাসন। চীনৰ ভিতৰত মানচুকুৰ আজি আটাইতকৈ সমৃদ্ধিশালী আৰু সুশাসিত দেশ। এই সকলোৰে কৰ্ত্তা জাপান, আৰু এই মহৎ কাৰ্য্যৰ সমাপণ আজি দুবছৰৰ ভিতৰত। ভাৰতত যি কাৰ্য্য কৰিবলৈ বৃটিছক দুশ বছৰ লাগিছিল—জাপানে মানচুকুত তাক দুবছৰৰ ভিতৰতে কৰিলে। এনে "দাসত্ব" দাসত্ব হবও পাৰে; কিন্তু য়ুৰোপীয় দাসত্বতকৈ শতগুণে শ্ৰেষ্ঠ। সকলো য়ুৰোপীয় জাতিতকৈ বৃটিছৰ দাসহই ভাগ বুলি সকলোৱে কয়, কিন্তু জাপানী দাসত্বৰ তুলনাত বৃটিছ দাসত্বও হাৰ মানিব। ইষ্ট-ইণ্ডিয়া কোম্পানীৰ দিনৰ পৰা ১৯শ শতিকাৰ শেহলৈকে ভাৰতৰ অৰ্থনৈতিক ইতিহাস পঢ়িলে এটা ইংৰাজেৰো লাজত মুৰ দোঁ খাব। মানচুকুৰ আজি দুবছৰৰ অৰ্থনৈতিক বুৰঞ্জীত জাপানে লাভ পাব লগীয়া এটা শব্দও নোলাব।

———

বৰ্ত্তমান মানৱ-সভ্যতা

—শ্ৰীযুত পবিত্ৰ নাথ শৰ্ম্মা বি-এ

আজি গোটেই বিশ্ব ভূবি গভীৰ চিন্তাশীল পুৰুষ সকলে বৰ্ত্তমান মানৱ সমাজৰ কাৰ্য্য কলাপৰ অবাৰিত গতি পৰ্য্যবেক্ষণ কৰি এটা জটিল প্ৰশ্ন মানৱ জাতিৰ আগত ডাঙি ধৰিছে—মানৱ সভ্যতা কি, আৰু ক'ত? এই চিন্তাশীল উদাৱমনা পুৰুষ সকলৰ সময়োপযোগী প্ৰশ্নৰ উত্তৰ দিবলৈ কোনোৱেৰা পাৰিও পাছ হহুকিছে আৰু কোনোৱেৰা কটাক্ষই কৰা নাই। কিয়নো এই মনীষী সকলৰ সংখ্যা বৰ্ত্তমান জগতত বেছি নহয়।

বৰ্ত্তমান জগতৰ প্ৰত্যেক জাতিয়ে নিজ স্বাৰ্থ সিদ্ধিৰ নিমিত্তে দিবোৰ ভয়াবহ ব্যূহ-চক্ৰ ৰচনা কৰিছে তাৰিলে এবাৰ চিন্তা কৰি চালে দেখা যায় যে ইয়ে যদি সভ্যতাৰ চানেকি হয় তেন্তে সেই সভ্যতা সন্দেহ জনক। আজি স্বদেশ প্ৰেমৰ জয়ধ্বনিয়ে দিক্‌বিদিক্ ঘোষিত কৰি দিবোৰ পাশৰিক অত্যাচাৰ, অভূতপূৰ্ব্ব হত্যাকাণ্ড আদি সৃষ্টি হব ধৰিছে সেইবোৰ মানৱ সভ্যতাৰ পৰিচায়কনে? বন্দুকৰ হৃদকম্পক ধুপ্ ধাপ্, তৰোৱালৰ জন্-জননি, বিমান পোতৰ সোঁ-সোঁ নি, মেশ্ৰিনগানৰ তৰ্জ্জন গৰ্জ্জনেই মানৱ সভ্যতা নে? এইবোৰ আতঙ্ক মাজত মানুহে চিৰ শান্তি লাভ কৰিব পাৰিবনে?

আজি কালি প্ৰত্যেক জাতিৰ সভ্য সমাজত এনে অমৰ বাণীৰ প্ৰচাৰ হব লাগিছে যে ছলে, বলে, কৌশলে নিজ সাম্ৰাজ্য বিস্তাৰ কৰা, নিজ দেশৰ বাণিজ্য অইন দেশত গোঁজৰ পৰা মহাৰক্ষত পৰিণত কৰা, অইন দেশৰ প্ৰজাৰ ওচৰত 'দৰি-কৰ্ণ' সজা, সময় বুজি মিছা মাতা,—পাৰিলে নদী ওলোটাকৈ বোৱা বুলি কোৱা, অইন জাতিবোৰক দাসত্ব-সুঙ্খলাবদ্ধ কৰা। নিজ দেশৰ সভ্যতা উন্নতিৰ কনক গিৰি শিখৰত জিলিকি থকা আৰু অইন দেশৰ সভ্যতা বৰ্ব্বৰতাৰ অতল স্পৰ্শী সাগৰ গৰ্ভত নিমজ্জিত হৈ থকা আৰু ভাগ বাটৱাৰাত নিজৰ ভাগত ৫ আৰু আনৰ ভাগত এক বা দুই বুলি ভাগ বিতৰণ কৰা—ইত্যাদি ভাৱে সভ্যতা বৰ্ণনা কৰা হৈছে। প্ৰত্যেক জাতিয়ে অপৰ জাতিক 'গ্ৰাস' কৰিবলৈ 'সভ্যতাৰ' বিজয় পতাকা হাতত লৈ ককালত উঙাৰি বান্ধি উঠি পৰি লাগিছে। পৃথিবীৰ জাতিবোৰৰ মাজত হিংসা প্ৰবৃত্তিয়ে ঠাই লৈছে। কোনোৱেৰা কাৰবাৰ নামত সাত কিল মাৰিছে। আৰু নিজৰ অলপ ক্ষতি হ'লে বিনা বাক্য ব্যয়ে তাক যথোচিত কিল দোধাই দিছে। ইটো জাতিয়ে সিটোক নিজে বগা আৰু আনটো ক'লা বুলি ঘৃণা কৰিছে। যেনে পাশ্চাত্য শ্বেতকায় সকলে ভাৰতীয় সকলক কলা আৰু চীনা সকলক হালধীয়া বুলি বিদ্ৰূপ কৰি থাকে। এনেবোৰ কাৰণত প্ৰত্যেক জাতিৰ ভিতৰত মিলা-প্ৰীতিৰ ভাব নোহোৱাত পৰস্পৰৰ ভিতৰত বিশ্বাস নোহোৱাত বৰং অবিশ্বাসত

পৰি আত্ম ৰক্ষাৰ দোহাই দি প্ৰতিকাৰ বিচৰাত আজি পৃথিবীৰ বহু-মঞ্চত ১৯১৪ চনৰ মহা সমৰৰ আকৌ দ্বিতীয় বাৰ অভিনয় কৰা হব। এই অভিনয়ত জগতৰ আগত কোন কিমান পৰাক্ৰমী, কাৰ কাৰ 'পাৰ্ট' কেনে হ'ল, কোনে নাম কৰিলে—তাৰ বাদে প্ৰত্যেক জাতিয়ে কি বায়ুমণ্ডল, কি জল, কি স্থল সকলোতে দিনে ৰাতিয়ে একনিষ্ঠ ভাৱে 'মা কালিৰ কৰাল মূৰ্ত্তিৰ' আগত তাণ্ডৱ নৃত্য কৰি আখৰা দিব লাগিছে। এক্তিয়া সমস্ত জগতে নিৰ্নিমেষ নেত্ৰে চাব লাগিছে যে এই সভ্যতাৰ মন্দিৰৰ কেতিয়া তৈয়াৰ হৈ উঠিব।

আজি প্ৰত্যেক জাতিৰ ভিতৰত প্ৰাতিযোগিতা চলিছে, কোনে কিমান মানুহ মাৰিব পাৰিব, কোনে কিমান নৰা-ছোৱালী মুনিহ, তিৰোতা, নিৰীহ প্ৰাণীৰ ওপৰত আকাশৰ পৰা বজ্ৰপাত কৰি এক মুহূৰ্ত্তৰ ভিতৰতে ভস্মসাৎ কৰিব পাৰিব; কোনে সামান্য এটা 'গেছ'লে আধা ঘণ্টা বা এ ঘণ্টাৰ ভিতৰত কোনো এখন দেশ ধ্বংস কৰিব পাৰিব, (যেনে ফ্ৰান্সৰ এজন নেতাই অলপতে ঘোষণা কৰিছে—এনে এটা 'গেছ'ৰ সৃষ্টি হৈছে যে এঘণ্টাৰ ভিতৰতে গোটেই ফ্ৰান্স বিধ্বস্ত হৈ যাব পাৰে), কোনে বলেৰে বা বুদ্ধিৰে নৌ শক্তি বৃদ্ধি কৰিব পাৰে, যেনে অলপতে এমেৰিকা, ইংলণ্ডৰ আগত জাপানে জনাইছে যে বৰ্ত্তমান নৌ শক্তি ৫-২-৩ পৰিমাণ যি নিৰ্দ্দিষ্ট হৈছে, জাপানৰ পক্ষে ৩ সংখ্যাৰ সপক্ষ হৈ থকা দিন নাই; কৰিলে ৫-৫ কৰিব লাগিব। য়ুৰোপৰ জাতিসমূহে বিচাৰিছে যে আটলাণ্টিক মহাসাগৰ এৰি কেনেকৈ প্ৰশান্ত মহাসাগৰ অধিকাৰ কৰা যায়। জাপানে তাৰ নিমিত্তে সুসজ্জিত হৈ বহি আছে যে কোনে কেনেকৈ প্ৰশান্ত মহাসাগৰ অধিকাৰ কৰে! কিয়নো য়ুৰোপৰ অইন ২ স্বাৰ্থৰ লগে ২ জাপানবো ইয়াত বহুত স্বাৰ্থ আছে। বাণিজ্য বা উপনিবেশ প্ৰতিষ্ঠা কৰাৰ কাৰণে ই যাকে তাকে প্ৰাচ্যত সুবিধা দিব আৰু যি জাতিৰ প্ৰাচ্যত নৌ শক্তি কম সেইবোৰকে তাৰ পৰিকল্পনাৰ নিমিত্তে যথেষ্ট সুবিধা দিব। ওপৰত কৈ অহা কথাবোৰৰ পৰা বুজা যায় যে পৃথিবীৰ জাতিবৰ্গৰ মাজত পৰস্পৰ বিদ্বেহ, বিদ্বেষ আৰু হিংসা প্ৰবৃত্তিৰ ভাবটো কটকটীয়াকৈ দেখা যায়।

এতিয়া চোৱা যাওক বৰ্ত্তমান মানৱ সভ্যতা নিজ নিজ দেশৰ সমাজৰ মাজত কিদৰে বিস্তাৰিত হৈছে। এইটো হৈছে শ্ৰেণী গত যুদ্ধ (Class war)। প্ৰত্যেক সমাজতে কিছুমান বিভাগ সৃষ্টি হোৱা দেখা যায়। প্ৰত্যেকটো বিভাগ (Group) নিজ স্বাৰ্থ সিদ্ধিত সদায় তৎপৰ। এইবোৰ গুপৰ কথা এৰি দি সাধাৰণতঃ সমাজত দুই শ্ৰেণীৰ লোকৰ আৱিৰ্ভাৱ হোৱা দেখা যায়। এক শ্ৰেণীৰ লোকে, যদিও তেওঁলোক সংখ্যালঘিষ্ঠ তথাপি, সমাজৰ ওপৰত যথেষ্ট কৰ্ত্তৃত্ব আৰু প্ৰভাব ৰাখিছে। এই শ্ৰেণীৰ মানুহে প্ৰচুৰ ধনৰ অধিকাৰী হৈ যথেচ্ছাচাৰে সমাজৰ হাল আজিলৈকে ঘুৰাই আছে। এওঁলোকক কেপিটেলিষ্ট্ (Capitalist) বোলে। এওঁবিলাকৰ মূলনীতি নিম্ন শ্ৰেণীৰ মানুহবোৰক শোষণ কৰা। এই তল খাপৰ মানুহবোৰক অৰ্থাৎ Proletariat সকলক নিৰ্ম্মম ভাৱে সিহতৰ সুখ দুখৰ প্ৰতি পিঠি দি নিজ সুখ সম্ভোগৰ নিমিত্তে নিয়োগ কৰে। ইহঁতক উচ্চস্তৰৰ মানুহবোৰে ঘৰচীয়া জন্তুৰ নিচিনা নতুবা যন্ত্ৰৰ নিচিনা ব্যৱহাৰ কৰে। গোটেই জীৱন ক্ৰীতদাসৰ নিচিনা সেৱা কৰোতেই ইহঁতৰ জীৱন অতিবাহিত হয়। ইহঁতক দেখিলে মানুহ আৰু পশুৰ মাজত একো প্ৰভেদ দেখা নাযায়। অথচ ফল স্বৰূপে ইহঁতে বুকুৰ তেজ পানী কৰি, হাড়ভঙ্গা পৰিশ্ৰম কৰি তাৰ বিনিময়ত যি পায় তাৰ দ্বাৰা সিহঁতৰ দৈনন্দিন আহাৰ নিমিলে। লঘোনে ভোকে, আধা পেটে বহুতে শোচনীয় জীৱন যাপন কৰে। ইহঁতৰ সংখ্যা প্ৰত্যেক সমাজতে বেছি। কাৰখানাৰ বহুৱা সকল, খেতিয়ক সকল আৰু তেনে নিম্ন স্তৰৰ লোকসকল ইয়াৰ ভিতৰত পৰে। ইহঁতক সমাজৰ মেৰুদণ্ড বুলিব পাৰি। ইহঁতৰ অভাবত সমাজ কঙ্কালসাৰ শূন্য। অথচ ইহঁতৰ শক্তিও পৃথিবীত দুৰ্দ্দমনীয়—যদি ই একত্ৰীভূত হয়। য়ুৰোপ, এমেৰিকা, এছিয়া আদি মহাদেশত এই শ্ৰেণীগত বিভাগ পৰিলক্ষিত হয়। এইবোৰ দেশত লৰা-ছোৱালী নিৰ্ব্বিশেষে কাৰখানাত যন্ত্ৰৰ নিচিনাকৈ ৮ ঘণ্টাৰ পৰা ১৪ ঘণ্টালৈ খাটিব লগা হয়। ইযে এটা সমাজৰ ঘোৰ

অন্যায় তাক সকলোৱে আজি উপলব্ধি কৰিছে। ই মানৱ সভ্যতাৰ উপৰত এটা কলঙ্ক আনিছে। ইয়াৰ প্ৰমাণ সাম্যবাদী (socialist) সকলৰ অনুপ্ৰেৰণাত আজি নৰদেৱতা জাগি উঠিছে। ইহঁতে বঢ়িয়াকৈ বুজিছে, ইহঁতৰ অৱনতিৰ কাৰণ। মানুহৰ প্ৰতি মানুহৰ যি ব্যৱহাৰ সেই ব্যৱহাৰৰো যে সিহঁতেও অধিকাৰী তাক এই শ্ৰেণীৰ লোকে ধনী সকলৰ ওচৰত দাবি কৰিছে। বিশাল সমাজৰো যে প্ৰত্যেকে একোটা আৱশ্যকীয় অঙ্গ তাক ভালকৈ বুজিছে। সমাজত ধনী দৰিদ্ৰৰ সমান অধিকাৰ আছে, এই কথা লৈয়ে socialism ৰ সৃষ্টি হৈছে। কছিয়া দেশত ই সুন্দৰ ভাৱে প্ৰতিফলিত হৈছে। সভ্যতাৰ দোহাই দি আজি কেইজনমান স্বাৰ্থান্ধ ধন-পিপাসু পুৰুষে যে ইমান দিনে, আজিও, আনৰ ওপৰত অমানুষিক অত্যাচাৰ কৰি আছে, তাক আজি এই শ্ৰেণীৰ লোকে উপলব্ধি কৰি ঘোৰ আন্দোলন লগাইছে। পাশ্চাত্যৰ কথাই নকওঁ ভাৰত আদি দেশতো এই আন্দোলনৰ বীজ বপন কৰা হৈছে। খেতিয়ক, কাৰখানৰ শ্ৰমজীৱীসকলে তিলে ২ সিহঁতৰ অধঃপতনৰ মূল কাৰণ বিচাৰি পাইছে। ভাৰতত কেজনমান জমিদাৰে মহাৰজাই নতুবা শাসকবৰ্গই সিহঁতক দলাৰ বগৰিৰ দৰে যে ঘূৰাই আছে তাক আজি বুজিবলৈ বাকী ৰোৱা নাই। আজি মানৱ সমাজত এয়ে সভ্যতাৰ চৰম নিদৰ্শন বুলি কব পাৰি—আনৰ ওপৰত এজনৰ অত্যাচাৰ, অবিচাৰ।

দেশ প্ৰেমৰ গুণকীৰ্ত্তন কৰি পাশ্চাত্য জগত আজি নিজ স্বাৰ্থ সিদ্ধিত আত্মহাৰা, দিশহাৰা। এই ধৰণৰ দেশ প্ৰেমেই পৃথিবীৰ জাতি সমূহৰ ভিতৰত অনৈক্যতাৰ মূল-কাৰণ। তাৰ ফলত নাজিজিম, ফেচিজিম্, চোচিয়েলিজম্, ইত্যাদি অদ্ভুত নীতিৰ সৃষ্টি হৈছে। অথচ ইয়াৰ গোপন কথা হৈছে যে নিজ দেশৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰা, লাগে অইনবোৰ দেশ বুকুত ভুকুৱাই মৰি-মৰজাহ দি যাওক। তাৰ লগে ২ গণ-তন্ত্ৰৰ নামত বহুত অপবাদ আনিছে। মিছাকৈয়ে প্ৰচাৰ কৰিছে যে প্ৰজাৰ হিত সাধনৰ কাৰণেহে ডিক্টেটৰ, চেঞ্চেলৰ, প্ৰাইম মিনিষ্টাৰ, প্ৰেচিডেণ্ট ইত্যাদি পদৰ সৃষ্টি হৈছে। এইবোৰ পুৰুষে নিজ স্বাৰ্থ লাভ কৰিবলৈ সমাজৰ উচ্চতৰৰো উচ্চতৰ গদী অধিকাৰ কৰি বহি গৈছে। নিজ দেশ ৰক্ষাৰ ভুৱা দি প্ৰজাসকলক নিজৰ ধন, প্ৰাণ, ঘৰ-বাৰী যাবতীয় সাংসাৰিক সুখ সম্ভোগৰ ফালে পিঠি দি সৈনিক বেশে আত্ম সমৰ্পণ কৰিবলৈ উচতাই দিছে। এই মানুহবোৰেও গুপ্ত সন্ধিৰ কথা নুবুজি স্বদেশ ৰক্ষাৰ কাৰণে নিজৰ জীৱন আহুতি দিয়া এটা কৰ্ত্তব্য বুলি ভাবি অইন দেশ বা জাতিৰ সহস্ৰ ২ প্ৰাণী বধ কৰিছে। সহস্ৰৰ জীৱন লৈ এজনে উপভোগ কৰাটো কোন সভ্যতাৰ পৰিচায়ক! এইবোৰ দেশ প্ৰেমিকে অইন দেশৰ শান্তি, সভ্যতালৈ একেবাৰে কাণ নিদি সংহাৰ মূৰ্ত্তি ধাৰণ কৰিব লাগিছে। সেই কাৰণে E, Belfort Bax এ কৈছেঃ—"The time is fast approaching when to call a man a patriot will be the deepest insult you can offer him, Patriotism now means advocating plunder in the interests of the privileged classes of the particular state-system into which we have happend to be born."

বৰ্ত্তমান সভ্যতাৰ আন এটা দৃষ্টান্ত হৈছে প্ৰত্যেক জাতিয়ে অইন জাতিবোৰৰ বেপাৰ বাণিজ্য ধ্বংশ কৰা বা এই নীতিৰে কোনো এখন দেশক দাসত্ব শৃঙ্খলাবদ্ধ কৰা নতুবা সেই দেশৰ একেবাৰে তলি-উদং কৰি সমৃদ্ধি-বিহীন কৰা। এই নীতি ফলপ্ৰসূ কৰিবলৈ পৃথিবীৰ বিশাল শক্তি সকলৰ ভিতৰত ঘোৰ প্ৰতিদ্বন্দিতা চলিব লাগিছে। কিয়নো নিজ সাম্ৰাজ্য বিস্তাৰ কৰা ইয়াতকৈ আৰু ভাল নীতি হব নোৱাৰে। পৃথিবীৰ ভিতৰত নিজে প্ৰথম শ্ৰেণীৰ শক্তি হৈ উঠা, আনৰ বুকুৰ ওপৰত ভৰি দি নিজ সুখ স্বচ্ছন্দে উপভোগ কৰা ইত্যাদি ভাবৰ বশীভূত হৈ সকলো জাতিয়ে মূৰ দাঙ্গি উঠিছে। এই কাৰণেই জাপানে, মাঞ্চুকো, কোৰিয়া, অধিকাৰ কৰিলে। কিয়নো জাপানৰ ইচ্ছা চীনদেশত নিজ বেপাৰ বাণিজ্যৰ বহুল প্ৰচাৰ কৰা আৰু প্ৰাচ্য প্ৰতীচ্যৰ এই লীলাভূমিৰ পৰা অইনবোৰ শক্তি দূৰীভূত কৰা। অইন কি নিজ দেশৰ লোক সংখ্যাৰ অপৰিমিত বৃদ্ধি হোৱাৰ কাৰণে

অষ্ট্ৰেলিয়া দেশৰ কিছু অংশ দখল কৰিবলৈ আজি বহুদিন ধৰি চল বিচাৰি আছে। ইপিনে প্ৰধান ইংলণ্ড দেশে চীনদেশত ধৰ্ম্মযাজক সকলৰ সহায়েৰে কানি প্ৰচাৰ কৰি সেই দেশৰ ঘোৰ অৱনতি আনিছে। Revolt in china বোলা কিতাপখনেই তাৰ সুন্দৰ প্ৰমাণ দিয়ে। গ্ৰন্থকাৰে কথা প্ৰসঙ্গত কৈছে যে সেই সময়ত এই কাৰণে বিদেশী সকলক Barbarians অৰ্থাৎ'বৰ্ব্বৰ' আখ্যা দিছিল। এইবাবে মহাশক্তিশালী জাতিসকলৰ ভিতৰত বিশ্ব অৰ্থ-নৈতিক সম্মিলন, ওটোৱা চুক্তি, ৱাশ্বিংটন চুক্তি, ভাৰ্চেলিচ্ চুক্তি ইত্যাদি বহুত চুক্তি হৈ গৈছে; কিন্তু তাৰ মূল কথা হৈছে এখন দেশত অপৰ এখন দেশে বজাৰ বহল ৰাখিব পাৰে কেনেকৈ। ওটোৱা চুক্তিৰ পৰা ভাৰতৰ কিমান ক্ষতি হৈছে, কাৰ পেট কিমান ভৰিছে তাক খ্যাতনামা অৰ্থনৈতিক পুৰুষ সকলে নিঃসঙ্কোচে ব্যাখ্যা কৰিছে।

ওপৰত কৈ অহা এনেবোৰ মানৱ-জাতিৰ কাৰ্য্য-কলাপৰ পৰা অনুমান হয় যেন প্ৰত্যেকেই প্ৰত্যেক জাতিক মিত্ৰ বুলি বিবেচনা নকৰি সদায় শত্ৰু বুলি পৰিগণনা কৰি পদে ২ সতৰ্কভাৱে চলিব লাগিছে। পৰস্পৰ যেতিয়া বিশ্বাস হেৰুৱায় তেতিয়া তাত মিলা-প্ৰীতিৰ আশা নাই। আজি জগত এই অৱস্থাত উপনীত হৈছে। ইজনে সিজনক ভাতৃভাৱে আলিঙ্গন কৰিবলৈ পাহৰিছে যেতিয়া বৰং সন্দেহৰ ওপৰত কাজ চলিব লাগিছে তেতিয়া পৃথিবীৰ মহাসমৰৰ পিছত প্ৰতিষ্ঠিত বিশ্ব সঙ্ঘ (League of Nations) বা আজি ২½ বছৰে চলি থকা নিৰস্ত্ৰীকৰণ সম্মিলনৰে বা অৰ্থ কি? যেতিয়ালৈকে ইজনে সিজনক ভাতৃভাৱত আলিঙ্গন নকৰে, তেতিয়ালৈকে পৃথিবীত শান্তিৰ আশা ৰিণি ৰিণিও দেখা নাযায়। মহাপুৰুষ টলষ্টয়ৰ এই মত 'whoever you may be—French man, Russian, Pole, English, Bohemia,—understand that all your real human interests, whatever may be agriculture, industrial, commercial, scientific—as well as your pleasures and joys in no way run counter to the interests of the other peoples or states and that you are united by mutual co-operation by interchange of services, by the joy of wide brotherly intercourse and by the interchange not merely of goods but also of thoughts and feelings with the folk of other lands.' যদি এই সাৰ্ব্বজনীন ভাতৃ-প্ৰেমেৰে প্ৰত্যেক জাতি পৰস্পৰ সংলগ্ন হয় তেন্তে আজি পৃথিবীত বৰ্ব্বৰতা, দাসত্ব আৰু মহাপাপ নাথাকিলহেঁতেন। প্ৰত্যেক মুহূৰ্ত্ত অৱশ্যম্ভাবী গুলিৰ আঘাতলৈ কাণ নকৰি ভাতৃত্ব স্নেহৰ গঙ্গাত অৱগাহন কৰি মানৱ-সভ্যতাৰ সু আদৰ্শ দেখুৱাব পাৰিলেহেঁতেন। হিংসাৰ বাণী প্ৰচাৰ নহৈ শান্তিৰ অমৃতময়ী বাণী কলকণ্ঠ শোভিত কৰিলেহেঁতেন। ক'লা, বগা, হালধীয়া বৰ্ণ বিচাৰ নকৰি বিশ্ব-কৰ্ত্তাৰ সকলো সন্তান সমান বুলি যদি জ্ঞান কৰিলেহেঁতেন তেন্তে সমাজত আজি এইবোৰ নতুন ২ বিষ-বৃক্ষৰ সৃষ্টি নহ'লহেঁতেন।

আজি বৰমূৰীয়া জাতি সকলৰ ভাবিবৰ সময় হৈছে যে পদদলিত জাতিবোৰৰ অন্তঃস্থল ভেদ কৰি অহা স্বাধীনতা, সমান অধিকাৰ যদি প্ৰশমিত কৰা নহয় তেন্তে ই ধ্ৰুৱ সত্য, পৃথিবীত নতুন বেমেজালি দেখা দিব আৰু মানৱ সভ্যতা লোপ পাব আৰু পৰস্পৰৰ ক্ষোভ দ্বিগুণ চৰি যাব। আয়াৰলেণ্ড, ভাৰতবৰ্ষ, চীন ইত্যাদি জাতিবোৰক বিশ্ব-মেলাত সমান অধিকাৰ নিদিয়াৰ বাবে আয়াৰলেণ্ডত অগ্নিঋষি ডি ভ্যালেৰাৰ আৱিৰ্ভাৱ আৰু ইংলণ্ডৰ লগত মনোমালিন্য। ভাৰতত স্বাধীনতাৰ দাবি উপেক্ষিত হোৱাৰ কাৰণে মহামানৱ মহাত্মা গান্ধীৰ আৱিৰ্ভাৱ আৰু ইংলণ্ডৰ প্ৰতি ক্ষোভ।

ভাৰতৰ ইতিহাসে এইটো জল্‌জল্ পট্‌পট্‌কৈ দেখুৱাই দিয়ে যে ভাৰতৰ যিবোৰ ৰজাই অইন দেশলৈ গৈছিল ৰাজ্যলাভৰ আশাত নহয়, অহিংসা, বিশ্বপ্ৰেম, আৰু শান্তিৰ অমৃতময়ী বাণী প্ৰচাৰ কৰিবলৈহে। মহাৰাজ অশোকে বৌদ্ধধৰ্ম্মৰ মাজেদি অহিংসা নীতি দেশ বিদেশত প্ৰচাৰ কৰা দেখা যায়। আজিও এই গুণৰ অভাৱ

ভাৰতত হোৱা নাই। মহাত্মা গান্ধীয়ে এই অহিংসা নীতি সত্যৰ ওপৰত নিৰ্ভৰ কৰি অকল ভাৰতকে নহয় জগতবাসীক শুনাইছে যে পৃথিবীত মানৱ-সভ্যতা যুদ্ধ আৰু হিংসাৰ মাজেৰে নহয়, অহিংসা নীতিৰ ভিতৰেদিহে প্ৰতিষ্ঠিত হব। সুবিধা হলে নতুবা সুবিধা দিলে, এই নীতিয়ে বৰ্ত্তমান মানৱ-সভ্যতাৰ এটা চিৰন্তন পৰিৱৰ্ত্তন আনিব পাৰে। এনে ধৰণে য়ুৰোপত দুই এজন উদাৰমনা পুৰুষে 'no more war' নামক অনুষ্ঠান খুলি অহিংস ভাবৰ প্ৰচাৰ কৰিছে। আজি এই উপায় অৱলম্বন নকৰিলে পৃথিবী নৰক কুণ্ডত পৰিণত হব আৰু মানৱ সভ্যতাৰ অৱশিষ্ট অংশ চিৰকাল বিস্মৃতিৰ অতল গৰ্ভত বিলীন হব।

"চতুৰ্দ্দশ শতিকাৰ দুখন তামৰ ফলি

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

যোৱা চ'ত সংখ্যা 'আৱাহন'ত শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা, বি-এল,এম-এল-চি দেৱে শিতানত উল্লেখ কৰা তেখেতৰ প্ৰবন্ধত ঘাৰমৰা সত্ৰৰ ওচৰত পোৱা পুৰণি তামৰ ফলি এখনৰ বিষয়ে আমি কৰা অনুমান সঠিক নহয় বুলি অভিমত প্ৰকাশ কৰিছে। (১) পুৰাতত্ত্বৰ অনুসন্ধানকাৰী মাত্ৰেই অনেক স্থলত অনুমানৰ আশ্ৰয় লব লগাত পৰে আৰু কেতিয়াবা অনুমানেও কাম নিদিয়াকৈ নাথাকে। হৰ্জ্জৰ বৰ্ম্মাৰ "পাষাণ গাত্ৰলিপি"ৰ যি পাঠোদ্ধাৰ আমি স্বৰ্গত মহামহোপাধ্যায় ডক্টৰ ৺হৰপ্ৰসাদ শাস্ত্ৰী মহাশয়ৰ পৰা পাইছো তাৰো ভালেখিনি পাঠৰ ভেটি অনুমানহে। যি হ'ক বৰুৱাদেৱে আমাৰ অনুমান (assumption) সঠিক নহয় বুলি আঙুলিয়াই দিয়াত তেখেতৰ শলাগ লৈছোঁ। এই প্ৰসঙ্গত আমি নকৈ নোৱাৰো যে বৰুৱাদেৱৰ নিচিনা উত্তৰ লক্ষিমপুৰৰ কৃতি বাসিন্দা এজনে নিজৰ ওপজা ঠাইৰ পুৰণি তথ্য উদ্ঘাটনত মনোনিবেশ কৰাটো সঁচাকৈয়ে এটি শুভ লক্ষণ।

বৰুৱাদেৱৰ উল্লিখিত প্ৰবন্ধত কিছুমান ভুলে ঠাই পাইছে। সেই ভুলবোৰ এটা এটাকৈ তলত শুধৰণিৰে সৈতে আঙুলিয়াই দিয়া হল (ক) বৰুৱাদেৱে লিখিছে :— এইখন ফলি ঘাৰমৰা সত্ৰৰ পুৰণি ভেটি থকা ঠাইৰ ওচৰত পোৱা হেতুকে সেই সত্ৰৰ ৰাজমেধি আৰু অধিকাৰে নিজ সত্ৰক ভূমিদান কৰা বুলি অনুমান কৰি ৰাজস্ব বিভাগৰ বিষয়া সকলৰ হাতত দিয়াত সিসকলে বিখ্যাত বিশেষজ্ঞ সকলৰ দ্বাৰাই তাৰ পাঠ উদ্ধাৰৰ চেষ্টাত অকৃতকাৰ্য্য হৈ শেহত শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ মহাশয়ক তাৰ কাৰণে নিয়োগ কৰে। তেখেতেও বিস্তৰ চেষ্টা কৰি মাত্ৰ কেইশাৰীমানৰ পাঠ তলত দিয়া দৰে কৰি দিয়ে— "কোনোবা এজন 'স্বৰ্গনাৰায়ণ' (আহোম ৰজাই) এশ ঘৰতকৈ বেছি মানুহ খাই বৈ থাকিবৰ জোখাৰে মাটি নাৰায়ণ নামেৰে কোনোবা এজন বামুণক দান কৰিছিল।" বৰুৱাদেৱে কোৱাৰ দৰে দেউতাই (শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ) বিস্তৰ চেষ্টা কৰি ওপৰত দিয়াৰ দৰে কেইশাৰীমানৰ পাঠ কৰি দিয়া নাছিল। ফলিখনৰ প্ৰায় গোটেই খিনিৰেই পাঠ তেখেতে উদ্ধাৰ কৰে আৰু আজিৰ পৰা একুৰি পাঁচ বছৰৰ আগেয়ে সেই পাঠোদ্ধাৰ 'বাহী'ত ওলাই গৈছে। অসম উপত্যকাৰ কমিশ্যনাৰে তেখেতৰ পাঠোদ্ধাৰ কাৰ্য্যৰ বিষয়ে দিয়া অভিমত তলত দিয়া হল।

"This is to certify that Pandit Gauridutta Misra Vidyabhusan was placed under me to decipher a copper plate filed by the Adhikar Goswami of North Lakhimpur. The plate was so badly mutiliated that the distinguished epigraphist the late Dr. Bloch had to return it without much success. Pandit Gauridutta took great pains and I am glad to remark that he has read enough of it to make the meaning of the contents intelligible. I wish the young and energetic Pandit every success in life." (Commissioner, Assam Valley Districts the 13th Aug. 1910.)

দেউতাৰ পাঠোদ্ধাৰ বুলি বৰুৱাদেৱে তুলি দিয়া বাক্য কেষাৰ দেউতাৰ নহয়। আৰু কাজেই সেই পাঠৰ ওপৰতে হৰিভৰ দি আৱাহনত (২) আৰু কামৰূপ অনুসন্ধান সমিতিৰ মুখপত্ৰত (I.A.R.S) (৩) মই প্ৰবন্ধ লিখা নাছিলোঁ। তেখেতৰ পাঠোদ্ধাৰত থকা সেই নাৰায়ণ নামটোৱেই মোক ভ্ৰমত পেলাইছিল। আৰু তাৰ বাবে যদি কোনোবা জগৰীয়া তেন্তে সেইজন আমিহে। নকলেও হব যে "কোনোবা এজন স্বৰ্গনাৰায়ণ (আহোম ৰজাই) ইত্যাদি" বাক্য কেষাৰ কাৰো পাঠ নহয় এই লেখকৰ অনুমানহে।

(খ) বৰুৱাদেৱে আৰু লিখিছে—"আৰু এই ফলিখন উত্তৰ লক্ষিমপুৰত পোৱা বাবে কবিও তাৰ মানুহ আছিল বুলি (এই লেখকে) ধৰি লৈছে।" ইয়াৰ উত্তৰত আমাৰ কব লগীয়া ইমানেই যে আলোচ্য ফলিখন উত্তৰ লক্ষিমপুৰত পোৱাৰ পৰাই যে কবি ৰামনাৰায়ণ দ্বিজক আমি সেই ঠাইৰে মানুহ বুলি ধৰি লৈছোঁ এনে নহয়। সেই ১৯১০ চনতে কমিশ্যনাৰৰ অফিছত সংৰক্ষিত পিতলৰ স্তম্ভ এটাৰ লিপিৰো পাঠ দেউতাই উদ্ধাৰ কৰে। এই স্তম্ভলিপিৰ পাঠে ফটফটিয়াকৈ দেখুৱাইছে যে কবি উত্তৰ লক্ষিমপুৰৰ মানুহ আছিল আৰু বৰ্ত্তমান শ্ৰীশ্ৰীঘাৰমৰা সত্ৰাধিকাৰৰ তেখেত এজন পূৰ্ব্ব পুৰুষ আছিল। স্তম্ভ লিপিৰ পাঠ :—

ভুবনমোহন পদাশ্ৰিত যদুমণি কুলোদ্ভৱ ৰামনাৰায়ণ দ্বিজঃ শ্ৰীৰুদ্ৰসিংহ নৃপদত্তা ভুবনদেৱতা পূজ্যৰ্থে দেৱোত্তৰ ভূমি ৪১৩১ হালিছা শাকে ১৬১৩।

ভুবনমোহন ঘাৰমৰা সত্ৰৰ উপাস্য দেৱতা। কবি যে উত্তৰ লক্ষিমপুৰৰ অধিবাসী আৰু বৰ্ত্তমান শ্ৰীশ্ৰীঘাৰমৰা সত্ৰাধিকাৰ গোস্বামীৰে এজন পূৰ্ব্ব পুৰুষ আছিল এই বিষয়ে এতিয়া এই লিপিৰ আগতো অইন কিবা প্ৰমাণৰ আৱশ্যক আছে জানো? তলত আমি ঘাৰমৰা সত্ৰৰ শ্ৰীশ্ৰীঅধিকাৰ গোস্বামীৰ পৰা পোৱা তেখেতসকলৰ বংশলতাও তুলি দিলো।

যদুমণি দেৱ (বীজ)
|
ৰামনাৰায়ণ (দানপত্ৰ)
|
জগতানন্দ
|
কৃষ্ণদেৱ
|
লক্ষ্মীনাৰায়ণ
|
ৰামচন্দ্ৰ
|
ৰামকৃষ্ণ (বৃত্তিভোগ কৰি মানৰ দিনত ভাগিছে।)
|
ভদ্ৰকৃষ্ণ
|
বসুকৃষ্ণ পানুকৃষ্ণ

স্বৰ্গীয় প্ৰত্নতাত্ত্বিক ৰাখালদাস বেনাৰ্জ্জিয়ে দেউতাই পাঠোদ্ধাৰ কৰাৰ পিছত চতুৰ্দ্দশ শতিকাৰ সেই ফলিখনি ৰুদ্ৰসিংহ ৰজাৰ বুলি সিদ্ধান্ত কৰি 'ৰঙ্গপুৰ সাহিত্য পৰিষৎ পত্ৰিকা'ত এটা প্ৰবন্ধ লিখিছিল। এই বিষয়ে ৰাখাল বাবুৰ সৈতে তেখেতৰ মতৰ অমিল হোৱাত দেউতাই ৰাখাল বাবুৰ প্ৰবন্ধৰ প্ৰতিবাদ কৰি এটি প্ৰবন্ধ লিখি 'ঢাকা ৰিভিউ'ৰ সম্পাদক ৰায়চাহাব বিধুভূষণ গোস্বামীলৈ পঠিয়াইছিল; কিন্তু প্ৰকাশ কৰিম বুলি কথা দিও সম্পাদক মহাশয়ে প্ৰবন্ধটো প্ৰকাশ নকৰিলে। প্ৰবন্ধ পাই সম্পাদক গোস্বামীয়ে তলত দিয়া চিঠিখন প্ৰবন্ধ লিখোতালৈ দিছিল—

Dacca College
The 8th September 1911

My dear Vidyabhushan Mahasaya,

Your article reached me in due time. It will be published in the October No. of the Dacca Review. I hope yon will kindly excuse me the delay in replying to your letter.

Trusting that this will find you in the best of spirit.

I am
with kindest regards
Yours Sincery
sd/- Bidhubhushan Goswami.

ৰাখাল বাবুৰ প্ৰবন্ধৰ প্ৰতিবাদ কৰিবলৈ অধ্যাপক পদ্মনাথ বিদ্যাবিনোদ মহাশয়ে দেউতাক বৰকৈ

(১) আৱাহন, চ'ত ১৮৫৬ শক ৬৬০ পিঠি।

(২) ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ আছিলনে?

(৩) Was King Rudra Singha illiterate? Jan. 1935

উদগাইছিল। * বিদ্যাবিনোদ মহাশয়েও অৱশ্যে ফলিখন ৰুদ্ৰসিংহৰ বুলিয়েই ভাবিছিল আৰু এখন চিঠিত তেখেতে এইদৰে লিখিছিল—

"I had a talk with Rakhal Babu lately: he entertains similar opinion: but you may have better proofs to identify the donor with a king other than Rudra Singha."

বৰুৱাদেৱৰ প্ৰবন্ধত প্ৰকাশিত পাঠোদ্ধাৰৰ সৈতে দেউতাৰ পাঠোদ্ধাৰৰ একো পাৰ্থক্য নাই বুলিলেই হয়। প্ৰত্যক্ষ নাৰায়ণ ৰজাৰ নাম আৰু আনকি ১৩১৪ শক নিজে ফলিত পঢ়ি ৰুদ্ৰসিংহ বা অইন কোনো আহোম ৰজাৰ বুলি দেউতাই সিদ্ধান্ত দিবলৈ যাবই বা কিয়?

এই প্ৰবন্ধ লিখি থাকোতেই ঘাৰমৰা সত্ৰৰ আমোক্তাৰৰ পৰা এখন চিঠি পালোঁ। চিঠিখন ইয়াত হুবহু তুলি দিয়া হল।

† ভুবনমোহনায় নমঃ।

উত্তৰ লক্ষ্মীমপুৰ
ঘাৰমৰা সত্ৰ
১৪।৬।৩৫ চন;

সম্মানপূৰ্ব্বক নিবেদন,

শ্ৰীযুত নলীনি কুমাৰ মিশ্ৰ মহোদয়,

১৮৫৬ শক সংখ্যা আৱাহনত ওলোৱা চতুৰ্দ্দশ শতিকাৰ দুখন তামৰ ফলি প্ৰবন্ধৰ কিছুমান কথা ভিত্তিহীন গতিকে আপোনাক জনালোঁ। লিখকে লেখিছে—ঘিলামৰাৰ পূব দক্ষিণে ধেনুখনা নামে ঠাইৰ এখন বিলত ১৯১০ চনত প্ৰথম ফলি পোৱা হয় ইত্যাদি ইত্যাদি। কিন্তু তেখেতে লিখা প্ৰথম ফলি ১৮৫৪ চনত—কাতি মাহত মাচখোৱা নিবাসি মোলোকা চুতিয়াই পুৰণী ঘাৰমৰাত তেও নতুন কৈ খোলা পামত পাই বৰ্ত্তমান সত্ৰাধিকাৰক দিয়েহি। সত্ৰাধিকাৰে ফলিখন মাতিবলৈ চেষ্টা নকৰি উত্তৰ লক্ষীমপুৰৰ সংস্কৃত টোলৰ অধ্যাপক শ্ৰীযুত ৰত্নেশ্বৰ শৰ্ম্মা স্মৃতিব্যাকৰণতীৰ্থ দেৱক দিয়ে। লিখকে ঘাৰমৰা সত্ৰৰ পৰা নি ফলিৰ কৰপা গুচোৱা নাই। আপুনি মাঘৰ আৱাহনত উল্লেখ কৰা ফলি বৰ্ত্তমান ঘাৰমৰা সত্ৰত আছে।

উত্তৰ লক্ষ্মীমপুৰ শ্ৰীব্ৰজনাথ দত্ত আমোক্তাৰ।
ঘাৰমৰা সত্ৰ

এই চিঠিখনৰ বিষয়ে আমাৰ কবলৈ একো নাই। এই বিষয়ে যি হয় শ্ৰদ্ধেয় বৰুৱা ডাঙৰীয়াই সমিধান দিয়াটোহে উচিত হব। হয়তো তেখেতে প্ৰমাণ কৰিয়ে দিব পাৰিব যে তেখেতে যি বৰ্ণনা দিছে সি ভিত্তিহীন নহয়। কাজেই আমি এই বিষয়ে নিমাত থাকিলো।

অৱশেষত চতুৰ্দ্দশ শতিকাৰ এই ফলি দুখনৰ বিষয়ে আলোচনা কৰি অসমৰ পূৰ্ব্ব প্ৰান্তৰ পুৰণি বুৰঞ্জীৰ ভালেখিনি কথা পোহৰলৈ অনা বাবে শ্ৰদ্ধেয় বৰুৱা দেৱক আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু শলাগ জনাই এই প্ৰবন্ধৰ সামৰণি মাৰিলোঁ।

* My dear Vidyabhushan,

* * * of course Rakhal Babn will suspect me as an abiltor but I don't care. I feel it a peculiar delight to expose such humbiggism. Hoping you are all rigbt with your family.

Yours Sincerly
Sd|| Padmanath Bhattacharyya,

P. S. Your article will be read in our sabha.

† ভুবনমোহন পদাশ্ৰিত etc. of the copper Plate Grant.



অসম কাৰ

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

অসমত বঙ্গালীৰ কলেৱৰ কেনেকৈ আৰু কিয় ফিকি ফিন্দখাই উঠিছে, তাৰ সন্ধেদ অনেকে পাইছে। অজীৰ্ণ ৰোগত উদৰী হয়। উদৰী হলে পেটত পানী গোট খাই পেট ফিকি উঠে। শোথ হলে গা হাত ভৰি আৰু মুখ উখহে। এনে উখহাক ৰোগ নুবুলি স্বাস্থ্য বুলিলেই লেঠা। স্বাস্থ্য বুলি ভুল কৰিলেও তাৰ শেহ ফল মৃত্যু। অসমত বঙালীৰ কলেৱৰ ফিকি উঠিছে বুলি চেন্সচ ৰিপোৰ্টে খবৰ দিয়াত আমাৰ ফোপযহী-ৰঙাই বঙ্গভায়াসকলৰ গা ৰঙত সাতখন আঠখনকৈ উঠি পৰিছে। কথাটো কিন্তু ভাবিবৰ বিষয়। বঙ্গালী dying race বুলি তেওঁলোকৰ ভিতৰৰ মানুহেই প্ৰমাণ কৰিছে। বঙ্গদেশৰ গাওঁ উজাৰ। গাত বল শকতি থকাবোৰে তাৰপৰা ওলাই আহি চহৰত বাস কৰিছে; আৰু দুৰ্ব্বলী বোৰে তাতে এপেটকৈ জৰ-খাপৰি লৈ "ডি-গুপ্ত" আৰু "পাইৰেক্স" খাই কলঢপ কলঢপ কৰি আছে। সম্বলপুৰ, গঞ্জাম, ছত্ৰিশগড়, নাগপুৰ ছোটনাগপুৰ, বোম্বাইৰ কাষৰ ইগৎপুৰ প্ৰভৃতি ঠাইৰ পৰা সামৰি সুতৰি লৈযোৱা চাহ বাগিছাৰ কুলীবোৰ বঙ্গালী পিয়লৰ মহৰীৰ লেখৰ কোবত বঙ্গ ভাষাভাষী বঙ্গালী ৰূপে দেখা দিছে। ফলত বঙ্গালী বৰালি গেলি যে কুঞা গোন্ধাইছে, ভায়াসকলৰ ভুৱেই নাই। চিলঠৰ তো কথাই নাই, কাচাৰ ধুবুৰী গুৱাল পাৰৰ জল নে থল ভালকৈ গম নোপোৱা অনেক অশিক্ষিত বা আধা শিক্ষিত মানুহো বঙ্গালী-থৈলাৰ ভিতৰত সোমাই পৰিছে। চৌদ্ধ পুৰুষৰ পৰা কাচাৰৰ অসমীয়া কচাৰীক বঙ্গালী পাতি তেওঁলোকৰ ভাৰ-পাচীত ভৰাই আনন্দৰ ধ্বনি কৰি লৈ গৈ তেওঁলোকে কৈছে "আঃ! আমাদেৰ ভাৰ খানা বৰ ভাৰী!" ৰামকৃষ্ণ হৰিকৃষ্ণ প্ৰভৃতি মিচনৰ অনুগ্ৰহ বা নিগ্ৰহত বঙলা মাত মাতি বঙলা কিতাপ পঢ়িবলৈ শিকা কুকী গাৰোও সেই থৈলাত সোমাই ভাৰ-পাচীৰ ভাৰ গধুৰ কৰিছে। এনে ভাৰ কান্ধত লৈ ফুটং গিৰী ভায়াসকলে তেওঁলোকৰ জাতৰ লেখ শতকৰা ৪২ টা বুলি কিৰিলি মাৰি উঠিছে। পাঁচসেৰ চেনিত দহসেৰ মলি; কোনে বাছি উলিয়ায় উলিয়াওক? কিন্তু বাছোতা এজন আছে। সেই বৰ বেজজন স্বভাৱ বা প্ৰকৃতি। তেওঁ চেনি এদিন পানীৰে মিহলাই কেৰাহীত তুলি জাল দিবই। আৰু তেতিয়া সেই দহসেৰ মলি ভেবেৰ হৈ ওপৰত ওপঙিবই, বোলোঁ, এদিন তেওঁলোকৰ উখহা পেটত সোনামুখীৰ পাতৰ জুলাপ পৰিবই, আৰু পেট মাউৰে চোচা যেন হৈ তেওঁলোৰ স্থান হব তুলসীৰ তলত। কলিকতা নগৰ খনত কিমান অবঙালী আছে, চেন্সচ্ ৰিপোৰ্টখন চাই মোক কোনোৱাই কৈ দিব নে? দিলেই কি জানি আমি কব লাগিব বঙালীক জ্যেষ্ঠৰ স্থান এৰি কনিষ্ঠবল হবলৈ যাবলৈ। আৰু কব লাগিব ঠাইডোখৰ বঙ্গদেশৰ মেপৰপৰা উলিয়াই দিয়াহঁক, আমি তাৰ নতুন নামকৰণ কৰিম। গধূলি অসমীয়া গৃহস্থৰ ঘৰত ছজন আলহী ৰলগৈ। ছয়োজন বঙ্গজ। গৃহস্থৰ বদান্যতাত তেওঁলোকে তাতে তিনি-তেলনি মাৰি ভাত খাই, পুৱাই হাত কটা কামিজ একোটা পিন্ধি লৈ গৃহস্থক কলে, "এইটো ঘৰ আমাৰ হে তোমাৰ নহয়; কাৰণ আমি ছটা আৰু তোমালোক দুটা; যথা গৃহস্থ আৰু গৃহস্থনী। এতেকে তুৰন্তে ওলোৱাহঁক! চোৱাঁ আমি এই ঘৰৰ দুৱাৰ মুখত "বঙ্গ-বিশ্ৰাম আশ্ৰম" লেখি চাইন বোৰ্ড আৰিলোঁৱেই!"

আজিকালি মুছলমানসকল যি দেশৰেই অধিবাসী হওক, সেই দেশৰ ভাষাক তেওঁলোকৰ অনেকে, বিশেষকৈ শিক্ষিত বা অৰ্দ্ধশিক্ষিত সকলে মাতৃভাষা বুলি গ্ৰহণ নকৰি,

মুছলমানৰ সঙ্কোচক উর্দ্দু ভাষা কয়;—যৱতো, পৰতো। আমি বঙ্গদেশত, উৰিষ্যাত আৰু আন আন অনেক দেশত এনে দেখিছোঁ। এতেকে আমি চাটুৰ্জ্জী আৰু চিলঠীয়া দত্ত, ঘোষ, পাল, দাস, ভাৰ্তাসকলক সোধোঁ যে বঙ্গদেশখন যাইকৈ পূৰ্ব্ববঙ্গখন কেনেকৈ নিপনীয়া বঙ্গভাষাভাষী হল? মুছলমানৰ লেখ হিন্দুতকৈ সৰহ, আৰু ধৰি লব লাগিব, মুছলমানৰ উর্দ্দু ভাষাভাষী, আৰু শেহত সম্ভৱতঃ সকলো-বোৰ হবগৈয়ো; কাৰণ তেওঁলোকে গঢ়িব খোজা পাকস্থানৰ ভাষা উর্দ্দু হবই এতেকে হিন্দু বঙ্গভাষাসকলে পাকস্থানী ভাষাটো বঙ্গৰ তিনি ভাগ এটিয়াই বাখি চলিলে পিছত মূৰ ফলাফলিৰ হাত সাবি বুধিয়কৰ কাম কৰিব কিজানি।

উড়িষ্যাবাসী-কেৰা-বঙালী সকলে ঘৰত আৰু পৰতো যাইকৈ ঘৰত বঙলা মাত নামাতি (বোধ কৰোঁ ভালকৈ নাজানে দেখি) উড়িষ্যাভাষাৰে নিজৰ ভিতৰতো কথা বার্ত্তা কয়; আৰু তেওঁলোকৰ আচাৰ-ব্যাহাৰ গঢ় গতিও উড়িষ্যাৰ দৰে হৈ গৈছে। উড়িষ্যাৰ কেৰা বঙ্গালীৰ গাওঁবোৰত এই কথা সৰহকৈ খাটে। অকল ভাষাৰ লেজত ধৰি বৈতৰণী পাৰ হবলৈ যোৱা বঙ্গালীসকলে আমাক কৈ দিবনে যে এই কেৰাবঙ্গালী সকল উড়িয়া নে বঙ্গালী? উড়িষ্যাত তেওঁলোকৰ লেখো বুজনেই।

ভাষা-বিজ্ঞানৰ কিতাপৰ চুটা-চাইটা পাত লুটিয়ালেই দেখি যে অকল ভাষাই কোনো এটা জাতিৰ পৃথকত্ব প্ৰমাণ নকৰে। কেনেডাত অলেখ ফ্ৰেঞ্চমেন আছে, তেওঁলোকে ইংৰাজী কয়। অনেক চীনা আছে, তেওঁলোকৰো তেনে কথাই, তেওঁলোক ইংৰাজ হল নে? ভাৰতত আৰু যাইকৈ গোৱা প্ৰদেশত অলেখ ভাৰতীয়ৰ ইংৰাজী ভাষা মাতৃ-ভাষা হৈ পৰিছে। তেওঁলোক ইংৰাজনে? জাতিৰ সুকীয়াত্ব প্ৰমাণৰ দাবি সাবাস্ত কৰিবৰ নিমিত্তে আৰু অনেক বস্তু লাগে, অকল ভাষাই নহয়। কাচাৰৰ কিছুমান মানুহে আজি বঙলা মাত মাতে বুলি কলেই তেওঁলোক বঙালী নহয়। আন নালাগে চিলেঠকে আমি বঙ্গালী নোবোলোঁ, যদিও চিলেঠে বঙ্গালী মাত লৈছে; নতুবা ৰাধা-কৃষ্ণ ৰাম-ৰাম বোলা মদনা-ভাটীয়েকো মানুহ বুলিব লাগিব। অৱশ্যে কালক্ৰমত কেতিয়াবাকৈ চিলঠীয়া বঙ্গালী হৈ যাব পাৰে। চিলঠ যে বঙ্গালী নহয়, বৰং অসমীয়াহে এই কথা বন্ধুৰ বাজখোৱাই তেওঁৰ "Notes on the Sylhetee dialect" নামৰ ইংৰাজী কিতাপত প্ৰমাণ কৰি দেখুৱাইছে। চিলঠীয়াই আজিও অসমীয়াৰ দৰে চুঙা দিয়া পিঠা খায়, মাঘ-বিহুৰ নিচিনা উৎসৱ কৰে, ইত্যাদি অনেক।

"The Pous or Uttarayan Sankranti held about the middle of January, has no religious associations and corresponds to the Magh Bihu of Assam Valley. the Villagers light bonfires in the rice fields at which they warm themselves after the morning bath, and devote the day to merry-making"

(The Sylhet District Gazetteer)

"The language of Sylhet which was the language of the old Aryan settlers from Kamrup must have been helped forward by the language of the Assamese during the Ahom reign"

কাচাৰৰ বিষয়ে

"The Kacharis are believed to be very closely allied to the Koches of Assam. They are identical with the Meches of Goalpara. The Kacharis of Cachar come from Assam"

চেন্সচ্ বিপোৰ্ট চেন্সচ বিপোৰ্টকৈ মানুহ বলিয়া হৈছে কিন্তু বোম্বাইৰ ভূতপূৰ্ব্ব চেঞ্চচ্ কমিচনৰে Mr. Sedgwick এ লেখি গৈছে যে "Our census figures were a matters of the wildest chance." আন এঠাইত কৈছে "They indicate wild inaccuracy"

মুছলমানৰ ভিতৰতো সকলো দেশতে দেশী ভাষাভাষী তকৈ উর্দ্দু ভাষা ভাষী সৰহ হৈ আহিছে বুলি আগতে উদ্ধৃকিয়াই আহিছো। বৰোদা ৰাজ্যৰ ১৯৩১ চনৰ চেন্সচ্ বিপোৰ্টত লেখিছে—"The Moslem speakers of Urdu or "Musalman" have increased since 1921 by 21. 2 per cent, and the Muslims acknowledging Gujrati as their mother tongue have hardly increased by 4 per cent." এই দেখিছেই অসম বিজয় কৰিব খোজা, মুছলমান প্ৰধান বঙ্গৰ বঙ্গালীক সাৱধান হবলৈ কৈছিলোঁ। লোকৰ দেশক বঙ্গালী ভাষা ভাষী কৰি বঙ্গালীৰ লেখ সৰহ দেখুৱাবলৈ গৈ ফুটংগিৰী মৰা বঙ্গালী সকলে নিজৰ দেশৰ ফালে চকু দিয়ক মুছলমানৰ লেখ যেনেকৈ তেওঁলোকৰ দেশত বাঢ়ি আহিছে, আৰু দহ বছৰৰ ভিতৰতে উর্দ্দু ভাষাই তেওঁলোকৰ বঙ্গভাষাক গিলি নেপেলালে বক্ষা। আৰু তেতিয়া মুছলমানে বঙ্গদেশৰ নামটো সলাই তাক নতুন মুলতান বা নয়া-দিল্লী বাখিবলৈ আন্দোলন নকবিলে বক্ষা। সিফালে বঙ্গালী জাতিটো Dying race বুলি তেওঁলোকৰ নিজৰ মানুহেই অনেক বাৰ প্ৰমাণ কৰিছে। আন নালাগে সিদিনাৰ ২৩ জুলাইৰ অমৃত বাজাৰ পত্ৰিকাৰ "A dying race' নামৰ সম্পাদকীয় প্ৰবন্ধটো ভালকৈ পঢ়ি চাবলৈকে তেওঁলোকক অনুৰোধ কৰো। ডিবেক্টৰ অব-পাবলিক হেলথৰ" ১৯৩৩ চনৰ বিপোৰ্টৰ ওপৰত তাক লিখা হৈছে। "The report is desimal reading.;" Director এ লিখিছে "Bengal suffers in comparison with other provinces in respect of health. The rate of natural increase of birth rate in Bengal was lower than in any other province while infant mortality was the highest"

এই বাবেই লুতীয়া বঙ্গালী ভাইক কওঁ,—পৰভ্ৰব্যৰ লোভ এৰি নিজৰ ঘৰৰ ফালে চকু দিয়া। সিফালে উদংহৈ আহিব লাগিছে।

৫২৮৭/অ:

সন্ন্যাসিনী

গল্প— —শ্ৰীযুত গোবিন্দৰাম দাস বি-এ

১৯২৯ চন বন্দেমাতৰম ধ্বনিৰে আকাশ পাতাল থৰক লগাই অসহযোগ আন্দোলনে অলপ তলকা মাৰিছে। ভৰ বাৰিষা চাৰিওফালে পানীয়ে থৈ বাগৈ। নগাওৰ চাপৰমুখৰ পৰা আৰম্ভ কৰি বহাটৈ পানীয়ে শুকুলা পাটিৰ আকাৰ ধাৰণ কৰিছে। নগাওৰ বানপানী জগত বিখ্যাত। ই হালহল কানি বিহ পান কৰা কানীয়াৰ মহামন্ত্ৰ পাশুপত। আই বসুমতিয়ে হেনো মাজে মাজে কানীয়া আৰু লাউপানী ভক্তৰ ভাৰ সহিব নোৱাৰি টলমলাব ধৰে। তেতিয়া কলং, কিলিং, কপিলী তিনিওটি বাই-ভনীৰ লগত কালক্ৰমৰ জটা বিদাৰি পতিত পাৱনী আৱির্ভাৱ হৈ পাপ-তাপ ধুই নির্ম্মল কৰে। কত অযোধ্যাপুৰী গাই গঙ্গ সমন্বিতে বৈকুণ্ঠ প্ৰয়াণ কৰে তাৰ সীমা সংখ্যা নাই। ভকত সকলে প্ৰলয় জগধি জলত স্বচ্ছন্দে মীনৰূপে ভাহি ফুৰে। দেশভক্ত, ৰাজভক্ত, খিতাপধাৰী ভক্ত, ভক্তৰ ভক্ত কত ভক্তই যে, এই মাহেন্দ্ৰ ক্ষণত 'কীৰ্ত্তিযস্য সজীবতি' উপাধি লাভাৰ্থে কাওৱাও লগায় তাৰ সীমা সংখ্যা নাই। নাম বিচৰা ভায়া সকলৰ ই এটি সুবর্ণ সুযোগ। আচল ঘাত দৰৱ নিদি ভিক্ষাজুলি লৈ ঘৰে ঘৰে হাত পাতি ফুৰে। তাতেই বৰ ত্যাগ কৰিলে বুলি কৃতার্থ মানে। বানপানী পৰাধীন দেশত দেৱতাৰ মায়া,

ঈশ্বৰৰ অভিশাপ, খণ্ডপ্ৰলয়। তাৰ প্ৰতিকাৰ অসম্ভৱ। কাল যৱনৰ এই আসুৰিক মায়াত মোহিত দাসানুবৃত্তিত অভ্যস্ত মুচুকুন্দ সকলৰ মোহ নিদ্ৰা কোনে ভাঙিব। অসমৰ সুপৰিচিত জনতাক বানপানীৰ অষ্টোত্তৰ শতনামৰ গুণাগুণ নকলেও হব। ভূইকঁপত, অগ্নিদাহত মৰা মৰে; জীয়াই থকাবোৰৰ অন্ন-জলৰ সংস্থান হয়। কিন্তু বানপানীৰ কি ভীষণ দৃশ্য! কুল নাই, কিনাৰা নাই, তৰঙ্গৰ উপৰি তৰঙ্গেৰে উদ্ভাসিত এক মহাসমুদ্ৰ। থিয় হবৰ ঠাই নাই, বান্ধিবৰ জুই নাই, আশ্ৰয় লবৰ গছ এডালো নাই।

এনে প্ৰলয় প্লাবনৰ সময়ত মানুহৰ মনৰ অৱস্থা কেনে হয় তাক ভুক্তভোগী সকলেহে জানে। মৰমৰ স্ত্ৰী, পুত্ৰ ধন-জন আগতে উটাই লৈ যায়। হিন্দুৰ পুৰাণ মতে ই খণ্ড প্ৰলয় হলেও তাৰ প্ৰতিকাৰৰ উপায় আছে। ৰজা প্ৰজাৰ অমঙ্গলৰ প্ৰধান সূচনা। ই প্ৰকৃতিৰ ধ্বংসকাৰী বৈভৱৰ বিচিত্ৰ লীলা। প্ৰকৃতিৰ প্ৰলয় তাণ্ডৱ মানুহে ইচ্ছা কৰিলে অনেক হ্ৰাস কৰিব পাৰে। মুঠতে ৰজা প্ৰজাৰ সম্মিলত শক্তিৰ দৰ্কাৰ। এনে কুক্ষণত এদিন এটি শোকাবহ ঘটনাৰ অভিনয় হৈছিল। সি নিকৰুণ নিষাদৰ সুতীক্ষ্ণ শৰত বিদ্ধ হোৱা বিৰহীৰ আৰ্ত্তনাদ। সেই বিৰহীৰ তপত চকুলোৱে আজিও যেন শত শত বীৰ্য্যাসুৰৰ সৃষ্টি কৰিব লাগিছে। মাতৃশক্তিৰ কৰাল গ্ৰাসত সেই স্মৃতি কিদৰে চূৰ্ণ বিচূৰ্ণ হৈছিল তাৰ বৰ্ণনা সাধ্যাতিত। সেই ৰাক্ষসিনীয়ে কত জনৰ অন্তৰত মউসনা মাতেৰে চোকা বিহসনা ছুৰি হানি চিৰাচিৰ কৰিছে তাৰ আদি অন্ত নাই।

বানপানীৰ সাহায্য বিচাৰি গোৱালপাৰা পালোগৈ। আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা। লগতে দেশ চোৱা হব পৰৰ খৰচাৰ ওপৰত, কেনে সুখ! ইফালে দেশভক্ত নামো পাম। এই ভাবি গৈ যোগীঘোপা পৰ্ব্বত পালো। ইয়াৰ তলতেই মহানদ ব্ৰহ্মপুত্ৰৰ প্ৰশান্ত গতি। সুন্দৰ খোৰোঙেৰে পৰিপূৰ্ণ যোগীৰ ঘোপা। পুৰণি কালত হেনো এই খোৰোঙবোৰত ঋষি সকলে ধ্যানস্থ হৈছিল। সেই বাবেহে ইয়াৰ এই নাম। অলপ বেগেৰে কৌতুহলবশতঃ মই আগবাঢ়িলো এনেতে নিৰদাই মাত লগালে, "শ্ৰীধৰ ৰবাচোন।" "বাৰু" বুলি মই মুখ ঘূৰাইছো মাত্ৰ এনেতে স্বয়ং মহাদেৱৰ মল্লাৰ ৰাগিণীত বিষ্ণুৰ শৰীৰ ভেদি সুৰধুনিৰ আবিৰ্ভাৱ হোৱাৰ দৰে কোমল কণ্ঠৰ কোকিল ধ্বনিৰ সঙ্গিতৰ সুমধুৰ সুৰত মোৰ মনপ্ৰাণ পুলকিত হৈ উঠিল। বাঁহীৰৱ শুনি ব্যাধৰ ফান্দত পৰিব যোৱা হৰিণৰ দৰে ময়ো বেগেৰে সেইফালে খোজ ললো। দেখো এজনী সৈন্যাসিনী। ভৈৰৱী বেশ। ৰক্তবস্ত্ৰ পৰিধান, বাও হাতত ত্ৰিশূল, সোঁহাতে লাওখোলা, গলত ৰুদ্ৰাক্ষৰ মালা, কপালত উৰ্দ্ধপুণ্ড্ৰ, লহলহীয়া বেনীৰ ঠাইত জুটুলা জুটুলি জট। যৌৱন বিগত প্ৰায়। মুখত বিষাদৰ ৰেখা তথাপি অপূৰ্ব্ব ৰূপ লাৱণ্যই যেন চাৰিও দিক উদ্ভাসিত কৰি তুলিছে এনে উজ্জ্বল তেজৰাশি। "পৃথিবীৰ মায়া কটাবলৈ বুলিয়ে ভিখাৰিণী সাজিছে" এনেভাবৰ গান এটি গাই তৎক্ষণাৎ বনৰ আৰাল হল। বেগে গৈ তেওঁৰ ওচৰ চাপিলো। তেওঁ তেতিয়া সকলোকে থৈ ত্ৰিশূলডাল আগত পুতি বাঘৰ চালৰ ওপৰত আসন ভিৰি বহিছে। এটা প্ৰকাণ্ড শিলৰ খোৰোঙ; সেয়ে ৰাতিৰ আশ্ৰয় স্থল। চাৰিওফালে ভীষণ অৰণ্যৰ মাজত জন-প্ৰাণীহীন নিৰ্জ্জন স্থানত এজনী অবলা তিৰোতাই কি সাহে বাস কৰিছে, কিয় বা এনে ডেকা বয়সতে এনে বিৰাগ জন্মিল তাক জানিবলৈ মই ব্যগ্ৰ হৈ পৰিলোঁ।

দীঘলীয়াকৈ এটি প্ৰণাম জনাই তলমূৰ কৰিলোঁ, জানোবা বামাচাৰি কাপালিক ধৰ্ম্মী এই নাৰীয়ে 'হিপ্‌নটাইজ' কৰি বিপদ ঘটায়, মনত এনে আশঙ্কাও হল। সন্ন্যাসিনীয়ে মোৰ পৰিচয় ললে আৰু বানপানীত প্ৰপীড়িত সকলৰ সেৱাত আত্মনিয়োগ কৰা শুনি বৰ আপ্যায়িত হল। মই অসমীয়া ভৈৰৱী দেখা নাই। এনে নিৰ্জ্জন ঠাইত কিয় এনেদৰে কাল কটাইছে আদি মই প্ৰশ্ন কৰিব ধৰিলো। সন্ন্যাসিনীয়ে কলে, "আপুনি অসমীয়া মানুহ ময়ো অসমীয়াহে।" সন্ন্যাসিনী যেন মোৰ সহোদৰা ভগ্নীহে এনে জ্ঞান হল। মোৰ প্ৰশ্নসূচক ভাব দেখি তেওঁ মাত লগালে,—"যুৱক তুমি মোৰ আপোনাৰ দেশৰ লোক। তোমাৰ আগত মোৰ দুৰ্ব্বহ ব্যথিত জীৱনৰ অতীত কাহিনী কোৱাত একো লাজ নাই। তুমি ভাবিছা মই এই ঘোৰ অৰণ্যত কেনেকৈ আছো। মই স্বেচ্ছাৰে এই

নিৰ্ব্বাসন বৰণ কৰিছো। মোৰ জীৱনৰ মমতা নাই কিন্তু তথাপি মই আত্মঘাত কৰিব নোৱাৰো। ই মোৰ দুৰ্ব্বলতাও হব পাৰে। এবাৰ ঘোৰ নৰকত ডুব দি সেই মহাপাপৰ যন্ত্ৰণাত শান্তি নাপাও—দিন যায়, ৰাতি যায় মোৰ অন্তৰ সেই নেদেখা জুয়ে ধু ধু কৰে পুৰিব লাগিছে। শত শত বৃশ্চিকৰ তীব্ৰদংশনত জৰ্জ্জৰিত হৈছো, জালাত পুৰি মৰিছো, চিন্তাত ছটফটাব লাগিছো, ভাবনাত অস্থিৰ হৈছো তথাপি সেই নিদাৰুণ স্মৃতি লোপ নহয়। এই বিষময় জীৱন কি দৰে অন্ত কৰো ভাবি নাপাওঁ। ধৰ্ম্মৰ মুখাপিন্ধি কত পৱিত্ৰ জীৱনৰ সেৱা পূজা গ্ৰহণ কৰিছো তাৰ আদি অন্ত নাই। কি কৰিম! গুপ্ত পাপ হিয়া ফালি কাকো কব নোৱাৰো। কলেও কোনেও নপতিয়ায়। সেইবাবে এই নিৰ্জ্জনত বাহ লৈছোঁ। কেতিয়া এই কলঙ্কিত দেহ অবসান হব?"

"আপুনি কি মহাপাপ কৰিছে যে তাৰ প্ৰায়শ্চিত্ত নহব বুলি অনুতাপ কৰিছে। যি বৈৰাগ্য ধৰ্ম্ম ধৰি এক ঈশ্বৰতে মন-প্ৰাণ সপিছে তাতেই শান্তি পাব।" "শান্তি! মোৰ জীৱনত নহব। মোৰ ঘটনাৱলী শুনা, পিছত বুজিবা। মোক পাপত প্ৰলোভিত কৰা তোমাৰেই নিচিনা এজন যুৱক। মোৰ ঘৰ নগাওঁৰ ৰহা অঞ্চলত। মোৰ পিতা এজন সম্ভ্ৰান্ত ভদ্ৰলোক। সৰুৰে পৰা মই বিলাসিতাৰ মাজতেই প্ৰতিপালিত। বিলাসিতাৰ আনুসঙ্গিক অসত্য, স্বাৰ্থপৰতা, প্ৰৱঞ্চনা আদি দোষবিলাকে মোৰ গাতো অজান ভাবে ক্ৰিয়া নকৰাকৈ নাছিল। লাহে লাহে মই যৌৱনত ভৰি দিলো। আধুনিক শিক্ষাৰ আও ভাও কিছু দূৰ পাইছিলো। উপযুক্ত দৰা পাই দেউতাই মোক হাইস্কুলৰ শেষ শ্ৰেণীৰ পৰা নাম কটাই আনি বিয়া দিলে। আজিও সেই দেৱোপম স্বামীৰ মধুৰ স্মৃতিয়ে মোক বলিয়া কৰিছে। আজিও যেন সেই দেৱমূৰ্ত্তিয়ে কয় হায় নাৰি! তোমাৰ অন্তৰ কি বিষময় পদাৰ্থেৰে গঠিত! তোমাৰ দয়া নাই, মায়া নাই তুমি হৃদয়শূন্য প্ৰেতিনী! বিয়াৰ বছৰ লাহ বিলাহতেই কটালো। তেওঁ কিন্তু ধনৰ চিন্তাত ব্যাকুল হল। ধন নহলে প্ৰেম-ভেম একো নৰজে। সংসাৰৰ সকলো সুখৰ মূল হৈছে ধন। ইয়াৰ অভাৱত যশ-মান, জ্ঞান-গৰিমা একোৰে সাৰ নোহোৱা হয়। মোক প্ৰবোধ দি তেওঁ মোৰ পৰা আঁতৰ হল। চাকৰি বিচাৰি হায়ৰান। অফিচে অফিচে ঘূৰি, ইঠাইৰ পৰা সিঠাই, ইয়াত দুদিন তাত চাৰি দিন এই দৰে তেওঁ নিৰাশাত দগ্ধ হব ধৰিলে। বঙালৰ প্ৰতিপত্তিত ৰেইল, জাহাজ, টেলিগ্ৰাফ, টি গাৰ্ডেন আদি কতো খুপনি পাতিবলৈ ঠাই নাপায়। অসমত বিদেশীৰ এনে প্ৰতিপত্তি! তেওঁৰ একোখন চিঠি পঢ়িলে চকুৰ পানী আহে। কত দিন হতাশ মনে ঈশ্বৰ ঈশ্বৰ কৰি চকুৰ পানীৰে গাৰু তিতি গৈছিল তাৰ আদি অন্ত নাই। এই দৰে দুবছৰ পাৰ হল। অৱশেহত ডিব্ৰুগড়ৰ ডি, চি, অফিচত এটা কেৰাণীৰ কাম পালে। এই দৰে কেইমাহ মান আছে এনেতে জলিয়ানাবাগত ডায়াৰৰ নেতৃত্বত সেই অমানুষিক হত্যাকাণ্ড হয়। তাৰ প্ৰতিকাৰৰ বাবে আৰু জাতীয় মুক্তিৰ অৰ্থে অসহযোগ আন্দোলনে গোটেই ভাৰত প্লাবিত কৰি দিয়ে। সেই সময়ত কত মানুহে চাকৰি এৰি হাঁহি মুখে কাৰাবৰণ কৰে তাৰ আদি অন্ত নাই। দলে দলে ডেকা লৰা গৈ জেইলত ঠাই নোহোৱা কৰিলে। লাখে লাখে নৰ-নাৰী ফাটেক ঘৰত পচিব ধৰিলে। অনেকৰ জীৱন বিপন্ন হল। বিধবাৰ ক্ৰন্দনৰ ৰোল উঠিল। মাউৰাৰ কাওবাও, অনাথ পৰিয়ালৰ হাহাকাৰৰ সীমা নোহোৱা হল। স্বাধীনতা প্ৰিয় স্বামীয়েও চাকৰি এৰি দি কাৰাবৰণ কৰিলে। ৰোগে দুখে জুৰুলা জুপুৰা হৈ ডেৰ বছৰৰ মূৰত খালাচ পালে। মুক্তিৰ পিছত পুনৰ ধনৰ চিন্তাত অধীৰ হল। এইদৰে নতুন পথ বিচাৰিয়েই থাকিল। ইফালে ভাৰতৰ ক্ষুব্ধ জনতাৰ মোহ নিদ্ৰা ভাঙিল। গান্ধিৰ অসমৰ্থতা বুজি পালে। 'ক্ৰাইছিছ' আহিলে তেওঁ যে 'লিড' কৰিব জেইলৰ পৰা ফিৰি আহি চাকৰীয়া সকলৰ দুৰ্গতিৰ সীমা নোহোৱা হল। তেওঁলোকৰ সুখত লালিত পালিত লৰা-ছোৱালীৰ এতিয়া বিলাই চায় কোনে? অৰ্থ নৈতিক সমস্যা যে ৰাজনৈতিক মুক্তিৰ প্ৰধান আলম তাৰ গম পালে। মোক প্ৰবোধ দি তেওঁ আকৌ বিদায় ললে। দুমাহৰ পিছত এখন চিঠি পালোঁ— তেওঁ চাকৰি বিচাৰি বিহাৰ পাইছে গৈ। তাৰ পিছত আৰু খবৰ নাই। নাই—নায়েই!

বাবিষা আহিল। চাবিওফালে পানীয়ে উপচি পবিল। বানপানীত গাই গক, মানুহ মবি ভাহি যাব ধবিলে। বাতি পানীব প্রকোপ বেঢি হল। সকলো ভাহি গল; চালব মৃধত উঠি বক্ষা পবিলো মই আৰু এজনী বুঢ়ী। বুঢ়ীজনী আমাব আশ্রিতা। বানপানী আঁতবিল কিন্তু আমাব পবিয়ালব কাব কি হল একো ভু নাপালো। কান্দি কাতি অস্থিব হলো। গাত কাপোব নাই, খাবব ভাত নাই, থাকিবব ঘব নাই, চাবিও ফালে মবাশব দুর্গন্ধ। এতিয়াব দবে তেতিয়া সাহায্য দিবঁতাও নাছিল। কাব দুখত কোনে দুখী হয়! বিপদব উপবি বিপদ! বানপানীব অন্ত হল, জহনীয়ে দেখা দিলে। গবর্ণমেণ্টে প্রজাব হাওবাও দেখি এপিডেমিক ডাক্তব পঠালে। মোব লগত থকা বুঢ়ী জনীবো সেই বেমাব হল। নহব কিয়! খাদ্যব অভাবত দিহকে পাইছো তাকে খাইছোঁ। আলু, কচু, ঘাহ, বন একো বিচাব নাই। ডাক্তব বাতি আমাব ঘবতেই থাকিল। মোব ৰূপ দেখি সি ভোল গল। মোব যৌবনব চঞ্চলতা তেতিয়াও কমা নাই। ক্ষুব্ধ যৌবনব হা-হুতাশে তেতিয়াও অন্তব উদ্বেলিত কবি আছে। লাহে লাহে বুঢ়ীব অৱস্থা বেয়া হল। সি যেন বুঢ়ী জনীক সোনকালে বিদায় দিব এনে ভাব দেখা গল। বুঢ়ী গল; তাব কণ্টক দুব হল। সি মোব ঘবতে বাহা ললে। তাব অযাচিত মবম আৰু দয়া দেখি তাব প্রতি মোব অনুবাগ জন্মিল। কৃত্রিম ভদ্রতাব প্রতি মোব ঘাউতি বাঢ়িল। সি মোক "নষ্টে মৃতে প্রবজ্যিতে ক্লীবেচ পতিতে পতৌ" আদি পবাশবব পত্যাস্বব গ্রহণব বাবে দিয়া মত মোক বুজাব ধবিলে। লাহে লাহে মোব মন ঘুবি গল। পূর্ব্ব স্বামীব সবলতা, আত্মবিকতা সকলো আতবাই পৈ আশ্রয়হীন লতাব দবে উপপতিকেই সাবটি ধবিলো। ছুয়ো পাপত মজিলো। অকল সেয়ে নহয়। পিছব ঘটনা আৰু শোক লগা। সেই কথা শুনিলে, তিবোতাব প্রতি তোমাব ঘৃণাত অন্তব ভবি উঠিব। তিবোতাব 'নিয়াবেষ্ট ইজ ডিয়াবেষ্ট'। যাব লগত দুদিন থাব-লব পায় তাব চবণতেই দেহ-মন জগাঞ্জলি দিয়ে।

ছয় মাহব পিছত চিঠি পালোঁ। তেওঁ গুপ্ত খুলিচব অভিযোগত আক্রান্ত হৈ এতিয়া মুক্তি লাভ কবিছে। উত্তব দিও কোন সাহে! তেওঁব সেই অপূর্ব্ব প্রেম, স্বর্গীয় প্রীতি সকলো গাহবিলোঁ কেনেকৈ তাকে ভাবি মাজে মাজে অস্থিব হওঁ। কিন্তু সেই ভাব তিলেকতে আঁতবে। প্রত্যক্ষনাত ভবি দিলো। তেওঁব প্রাণগাত কবি অজ্ঞা ধন নিমন্দোচে লুট কবিব ধবিলো। ভেম কবি দীঘলীয়া চিঠি লেখো। তেতিয়াও মোব অনুতাপ অহা নাছিল।

দুবছবব পিছত তেওঁ নানা বয়-বস্তুবে সৈতে ঘব পালেহি। আমি তেতিয়া নগাওঁত বসতি কবিছো। শুন্ন, ভগাঘব দেখি তেওঁব দুখব সীমা নোহোবা হল। লাহে লাহে আমাব অবৈধ প্রণয়ব কথা গম পালে। এদিন নগাওঁলৈ মোক চাবলৈ আহিল। তেওঁ অনেক কথা সুদিলে. মই কিন্তু নিমাত হৈ থাকিলো। তেতিয়াও মোব প্রতি তেওঁব আগব মবম যোৱা নাই। শেহত মই কলোঁ যে সেই দিন নাই আৰু, মই সেই প্রতিভা দেউও নাই; এয়া তাব প্রেত মূর্ত্তিহে।' তেওঁ একো নকলে। তেওঁব মুখ কলা পবা দেখিলো। বোধকবো সমগ্র নাবী জাতিব ওপবতে তেওঁব বিশ্বাস জন্মিল। তাব পিছত তেওঁব অব আহিল। পিছব কথা কবলৈ মোব সত মুদুবে। তথাপি যুবক, পাপব পবিণাম বুজাবলৈ কও।

গুপ্তকলঙ্ক প্রকাশ হবব ভয়ত উপায় বিচাবিবলৈ ধবিলো। ডাক্তবে মোক অধীব কবি তুলিলে। তেওঁ চিকিৎসাব বাবে আমাব ওচবতে এটা ঘব ভাবা কবিলে। তেওঁব অব বেছি হৈ আহিল। উপযাচি গৈ ছুয়ো সেৱক সেৱিকাব ভাও ধবি অঘাইতে কামত হাত দিলো। ডাক্তবব লগত সুখব সংসাব পাতিম এই মায়াত মোহিত হলো। ডাক্তবব লগত যুক্তি কবি ঔষধব লগত বিহ খুৱালো। মই নিজে তেওঁব মুখত সেই হলাহল ঢালি দিলোঁ। তেওঁ বিহব আস্বাদ পাই মুখ বিকটাই গেলালে। মোব গা শিৰঁবি উঠিল। বিহব জ্বালাত তেওঁ ছটফটাব ধবিলে। পিছত মোব ফালে একে পবে চাই থাকি কলে—'অবিশ্বাসী নাবি'! লগে লগে জীবন বস্তি সুমাই গল। মোব অন্তব হঠাতে যেন বিদীর্ণ হৈ গল। সেই সকলো

দুষ্টিয়ে মোব মোহ নিদ্রা, ইন্দ্রিয় লালসাব অন্ত পেলালে। মই আত্মকৃত মহাপাপব গম পালো। মোব কল্পিত সুখব সংসাব চূর্ণ বিচূর্ণ হৈ গল। মোব কথাব ঠিক নোহোৱা হল। সেই পবিত্র প্রেতাত্মাই পাপব বিভীষিকা মূর্ত্তি দেখুৱাব ধবিলে। ডাক্তবে গতি বিষম ভাবি গুপ্ত পাপ কেৱল হোৱাব ভয়ত পলাবলৈ চেলু বিচাবিবলৈ ধবিলে। মূলব মউ শেষ হল। ভোমোৱা উবি গ'ল। মধুহীন ফুলব তাব কি দকাঁব? তেতিয়াব পবা অহবহ চিন্তানলত পুবি মবিছো কিন্তু কতো শান্তি নাপাওঁ। সন্ন্যাসিনী হলো ক'তা, ইয়াতো সেই।" "ঈশ্বৰে শান্তি নিদিলে কোনে দিব। ধৈর্য্য ধবক, বিপন্নব সেৱাত আত্মনিয়োগ কবক, ভগৱানে নিশ্চয় কৃপা কবিব। কলুষহীন জীবনব অশান্তি বেছি।" এই বুলি মই প্রণাম জনাই বিদায় ললো। বাস্তব জীবন আৰু আধুনিক সভ্যতাব চক্রান্ত দেখি স্বর্গব পবা নামি যেন প্রেতপুবিতহে অৱতীর্ণ হলো এনে ভাব হল।

জেবেমি বেনথাম

—শ্রীযুতা হেমলতা বকৰা

জেবেমি বেনথাম আছিল লণ্ডন বিশ্ববিদ্যালয় প্রতিষ্ঠাপক চাবিজনব এজন। ১৮৩২ খৃষ্টাব্দত তেখেত ঢুকায়। মৃত্যুব আগতে তেওঁ যি 'উইল' কবিছিল, তাত তেওঁ এটা আচবিত ধবণব কথা লেখি থৈ গৈছিল যে, তেখেতব মৃতদেহ কাটি চিন্ধি (Dissection কবি) তেওঁব শবীবব হাড়বিলাকব একো ক্ষতি নকবাকৈ, তেওঁ সদায় শিক্ষা সাধাবণ সাজটো শিকাই বিশ্ববিদ্যালয়ত থৈ দিব। বিশ্ববিদ্যালয়ব পবিচালক সকলে তেওঁব ইচ্ছা সম্পূর্ণৰূপে পবিপালন কবি এটা বতাহ সোমাব নোৱাবা কাচব ঘব কবি তেওঁ সাধাবণতে শিকা—এটা ক'লা কোট, পুবণি ধবণব টান পেণ্ট, এটা পুবণি ধবণব টুপী, গবম মোজা আৰু এজোৰ হিপাব শিকাই, তেওঁব মুখখন মমেৰে তৈয়াব কবি জীৱিত অৱস্থাত থকাব দবেই বিশ্ববিদ্যালয়ব মিটিং ঘবত বহুৱাই থলে। তেওঁব আচল লাওখোলাটো কাচব পাত্র এটাত ভবাই তেওঁব ভবিব ওচবত থৈ দিলে। যদিও জেবেমি বেনথাম মবা এশ বছব পাব হৈ গল, তথাপি বিশ্ববিদ্যালয়ব মিটিং ঘবত থকাব কাবণে তেওঁ প্রত্যেক মিটিঙতে বহে বুলি কব পাবি। জেবেমি বেনথামব লণ্ডন বিশ্ববিদ্যালয়লৈ বব ধাউতি আছিল কাবণে তেওঁব প্রেতাত্মা এতিয়াও লণ্ডন বিশ্ববিদ্যালয়ত আছে বুলি বহুতে বিশ্বাস কবে। এই বিষয়ে এটা ঘটনা বিশেষভাবে উল্লেখযোগ্য।



লণ্ডন বিশ্ববিদ্যালয়ত জেবেমি বেনথাম

বিশ্ববিদ্যালয়ব এজন অধ্যাপক ডাঃ এইচ, জে, স্পেনচাবে বিশ্ববিদ্যালয়বে এটা কোঠাত বাস কবে।

১৯০৩ চনৰ অক্টোবৰ মাহৰ এবাতি ১১।১২ বজাৰ ভিতৰত তেওঁ তেওঁৰ কোঠাটোৰ পিনে কোনোবা খোজ কাঢ়ি অহা শুনিলে। খোজটো এটা ভৰি চোচোৰাই অনা যেন শুনিবলৈ পালে। ৰাতিৰ চকিদাৰ অলপ আগতে সেই পিনেদি চাই গৈছেহি, আৰু সেইটো তাৰ খোজ হবও নোৱাৰে, কাৰণ সি বৰ শকত আৰত মানুহ আৰু বৰ গপ-গপাই খোজ কাঢ়ে। কোনোবা আহিছে বুলি ডাঃ স্পেনচাৰে দুৱাৰ খুলি দি বাহিৰলৈ চাই দেখে যে তাত কোনো নাই। কিন্তু তেওঁ যেতিয়াই দুৱাৰখন জপাই দিলে সেই একে ধৰণেনেই এখন ভৰি চোচোৰাই কোনোবা উলটি যোৱা যেন তেওঁ শুনিবলৈ পালে। এই আচৰিত ভৰিৰ খোজটো তেওঁৰ দুৱাৰৰ ওচৰলৈ আহি অলপ সময় থাকি আকৌ উলটি যোৱা তেওঁ প্ৰায়ে শুনিবলৈ পাইছিল। ডাঃ স্পেনচাৰে ইয়াৰ বাখ্যা এনেকৈয়ে দিলে যে জেবেমি বেনথামৰ বিশ্ববিজ্ঞালয়লৈ বৰ মৰম থকাত তেওঁ বিশ্ববিজ্ঞালয়ৰ ডাঙ্গৰ কোঠাটোলৈ যাবৰ কাৰণে আহি ডাঃ স্পেনচাৰক তেওঁৰ কোঠাত বহি কাম কৰি থকা দেখিলে আকৌ উলটি যায়।

এই ঘটনাটো এই কাৰণেই বিশ্বাসযোগ্য যে ডাঃ প্লেনচাৰে এই ঘটনা ঘটাৰ কিছুদিনৰ পাছলৈকে নাজানিছিল যে জেবেমি বেনথামে তেওঁৰ জীৱনৰ শেষ কেইছৰ সৌ ভৰিটো চোচোৰাই খোজ কাঢ়িৰ লগা হৈছিল।*

* বিদেশী প্ৰবন্ধৰ পৰা।

বলিয়া

—শ্ৰীযুত শৰদিন্দু নাথ বি, এ

বলিয়া লৰি গৈছে—কি এক সুমধুৰ বাহীৰ সুৰ শুনি একধ্যানে, একমনে—অইন কোনো পিনে লক্ষ্য নাই—। বাটত কত শত কাঁইটে ভৰি তেজেৰে ৰাঙলী কৰিছে—কিন্তু ভ্ৰুক্ষেপ নাই—।

—কি জানো হঠাৎ কিয় উভতি চালে, দেখিলে, লক্ষ লক্ষ চকু তেওঁৰ পিনে হাঁহিছে। মাত লগালে, "হেৰ বলিয়া, তই এক অনিশ্চিত সুৰ শুনি কিয় লৰি গৈছ? এতিয়াও সময় আছে উভতি আহ। এই পথত যে অসহ যন্ত্ৰণা—আৰু আগবাঢ়িলে তোৰ মৃত্যু অনিবাৰ্য্য।"

"মনে মনে থাক কাপুৰুষৰ দল—তোমালোকৰ উপদেশ শুনিবলৈ মই বাধ্য নহওঁ।"

কিন্তু অলপ দূৰ আগবাঢ়ি শুনিবলৈ পালে, "হে সাহসী বীৰ, ভয় নকৰিবা—সত্য পথত ঈশ্বৰ সহায়" প্ৰাণ আনন্দত নাচি উঠিল। নতুন শক্তি পাই নতুন উদ্যমেৰে আকৌ খোজ ললে। বনৰ গছ-গছনিবোৰে বিজয় নিচান উৰাই দি অভিনন্দন জনাই বলিয়াৰ কপালত "বাজটীকা" পিন্ধাই দিলে। সুদূৰ নীলাকাশ তেওঁৰ কপালত "চুমা" খালে।

—নতুন যৌৱন পাই সুমধুৰ বাহীৰ সুৰ লক্ষ্য কৰি বলিয়া লৰি গৈ আছে। চিএৰি উঠিলে "হে দেৱ, দেয়ুৱাই দিয়া কৰ পৰা সেই আপোন পাহৰা সুৰ ভাহি আহিছে।"

—"গৈ থাকা"।

বাঁহী আকৌ বাজি উঠিলে। বলিয়া অস্থিৰ হ'ল "মই—মোক—তোমাকেই লাগে।"

"মোৰ ওচৰলৈ আহিবলৈ হলে সৌৱা সেই পুৰৰ দুৱাৰেদি আহিব লাগে।"

"মোৰো সেয়ে লক্ষ্য"

কোনোবাই হঠাৎ চিএৰি উঠিল "সেই পথত মৃত্যু অনিবাৰ্য্য।"

বলিয়া গজ্জি উঠিলে, "কুছ্ পৰওৱা নাই। মোকো সেই মৰণেই লাগে—কাৰণ সিটো মৰণ নহয় সিযে জীৱনৰ আৰম্ভ।"

কিছু দূৰ গৈ দেখিবলৈ পালে অস্পষ্ট ভৰিৰ খোঁজ। দেখিলে কোনোবা আকৌ সেই বাটেৰে গৈছিলে—কিন্তু শেষ পৰ্য্যন্ত যাব পৰা নাই।

"তোমাৰো পৰিণাম এয়ে" বুলি কাণে কাণে কোনোবাই কৈ দিলে।

"কোনো ভয় নাই—এই মৃত্যুয়েত মোক লাগে।"

"তুমি কোন?"

"মই মুক্তিকামী।"

প্ৰেতৰ নিচিনা কোনোবাই হাঁহি উঠিলে, কলে, "মই কোন জানানে? মই শৃঙ্খল। তোমাক বান্ধি বাখি হত্যা কৰাই মোৰ কাম।"

"আপত্তি নাই; কিন্তু পাৰিবা জানো—মোক বান্ধি বাখিবলৈ? মই অজড়, অমৰ—কিমান মাৰিবা, মাৰা; মই সহ্য কৰিম—কিবা মোৰ শক্তি সহ্য কৰিব লাগিব," এই বুলি সাহসী বীৰ বুক্ত খুল দিলে।

"জয় চিৰন্তন মুক্তিকামী।"·····

কবিকুল শিৰোমণি ভৱভূতি

—শ্ৰীযুত কিৰণ চন্দ্ৰ গোস্বামী

সংস্কৃত ভাষা আৰু সাহিত্যৰ আলোচনা আৰু গৱেষণা কৰি যি সকল মনীষীয়ে অমৃত পান কৰি, সেই অমৃতৰ সোৱাদ আনকো লবলৈ বৈ গৈছে সেই সকলৰ ভিতৰত কবিবৰ ভৱভূতিও এজন। এই জনা এজন প্ৰখ্যাতনামা কবি আছিল। যি সকলে সংস্কৃত সাহিত্যা পঢ়িছে আৰু তাৰ সোৱাদ উপলব্ধি কৰিছে সেই সকলে কবিৰ অমৃতময়ী লেখনীৰ পৰা ওলোৱা কবিতা পঢ়ি বুজিব পাৰিছে—তেওঁ কেনে বিচক্ষণ বুদ্ধিৰ পুৰুষ।

মনুষ্যজন্ম লাভ কৰা অতি কঠিন। তাৰ ভিতৰত কবি আদি হৈ প্ৰখ্যাতনামা হোৱাটো যে কিমান দুৰূহ তাক ভাবুক মাত্ৰেই বুজিব পাৰিব। কবিসকল মানুহৰ অতি আপোন, কিয়নো কবিয়ে মানুহৰ অন্তৰৰ কথাও জানে। সেই গতিকে ভৱভূতিৰ নিচিনা প্ৰখ্যাতনামা কবিৰ বিষয়ে আলোচনা কৰি পাঠক পাঠিকা সকলৰ আগত ডাঙি ধৰিবলৈ এই প্ৰয়াস। সি ব্যৰ্থ হলেও পাঠক পাঠিকা সকলৰ মনৰ হেপাহ ব্যৰ্থ নহয় যেন।

দক্ষিণাত্যৰ বিদৰ্ভত পদ্মপুৰ নামে এখন নগৰ আছিল, সেই নগৰত প্ৰায়বিনি অধিবাসীয়েই ব্ৰাহ্মণ আৰু সুপণ্ডিত আছিল। সেই নগৰতে ভট্টগোপাল নামে এজন বিখ্যাত পণ্ডিত আছিল; আৰু তেওঁৰ পুত্ৰ জাতুকৰ্ণী। এই জাতুকৰ্ণীয়েই তপস্যাৰ প্ৰভাৱত বাণীদেৱীকো কবায়ত্ত কৰিব পাৰিছিল। ভৱভূতি এই জাতুকৰ্ণীৰেই পুত্ৰ।

পুৰণি যুগত লিখাৰ অভ্যাস নথকা গতিকে এইবিলাক ডাঙ্গৰ ডাঙ্গৰ পণ্ডিতৰ সবিশেষ বিৱৰণ পোৱাটো কঠিন। মাত্ৰ তেওঁলোকে ৰচা পুথিবিলাক পঢ়িলে, তাত তেওঁলোকৰ আতি গুৰিৰ চমু আভাস পাব পাৰি। এই কবিয়ে লিখা 'বীৰচৰিত' নামে নাটকৰ প্ৰস্তাৱনাৰ আহিনা লৈছে এই জন কবি কোন সময়ৰ আছিল সহজ নিৰূপণ কৰিব পাৰি।

কামাখ্যা-তীৰ্থ

[মহাভাগৱত পুৰাণৰ পৰা অনূদিত]

—পণ্ডিত শ্ৰীযুত কামাখ্যা চৰণ ভট্টাচাৰ্য্য

(৫)

মহামতি মহাদেৱে আনন্দিত মনেৰে কামৰূপত কামাখ্যাৰ ওচৰত, আকৌ উগ্ৰ তপস্যা কৰিছিল। মহাপীঠৰ মাহাত্ম্যৰ বাবে দেৱী ভগৱতী স্বয়ং তাতে অৱস্থান কৰে।

নাৰদে কলে,—হে মহেশ্বৰ! কামৰূপৰ মাহাত্ম্য কওক। যি ঠাইত ভগৱতীয়ে প্ৰত্যক্ষভাৱে ফলদান কৰি থাকে। হে পৰমেশ্বৰ! সকলো পীঠৰ মাজত, এই পীঠক শ্ৰেষ্ঠ বুলি স্বীকাৰ কৰোঁ। যি হেতু আপুনিও তাতেই তপস্যাৰ দ্বাৰা ঈশ্বৰীক আৰাধিছিল।

মহাদেৱে কলে, হে মুনি শ্ৰেষ্ঠ সকল! ছায়া-সতীৰ অঙ্গ আৰু প্ৰত্যঙ্গ পতনৰ দ্বাৰাই পৃথিৱীত ৫১ একাৱন্নখন পীঠস্থান হৈছে। হে মহামতি! সেই পীঠবোৰৰ ভিতৰত কামৰূপ শ্ৰেষ্ঠতম পীঠ। যি ঠাইত ভগৱতীয়ে নিজে অৱস্থিতা হৈ আছে। সেই মহাপীঠলৈ গৈ, ব্ৰহ্মপুত্ৰত গা ধুলে ব্ৰহ্মহত্যাকাৰী মানুহো ততালিকে ভৱবন্ধনৰ পৰা মুক্ত হয়।

তাত গা ধুই বিধিমতে ভক্তিভাৱে পিতৃলোকৰ তৰ্পণ কৰি, সাধকে মন্ত্ৰৰ দ্বাৰা কামেশ্বৰীক নমস্কাৰ কৰিব। তপ্ত-কাঞ্চনৰ তুল্যা, কামৰূপনিবাসিনী, সুৰেশ্বৰী, সেই কামেশ্বৰী কামাখ্যাক নমস্কাৰ কৰোঁ। *

তাৰ পাছত তন্ত্ৰমতে পৰমেশ্বৰীক পূজি, জপ আৰু হোম আদি কৰি ভক্তে যেনেকুৱা ফল ভোগ কৰে, সেই ফলৰ কথা কৌটি মুখেৰেও কবলৈ পাৰ্গত নহওঁ। হে মহামুনি! সেই ক্ষেত্ৰত যাৰ মৰণ হয়, তেওঁ ততালিকে মুক্তিলাভ কৰে, সঁচা, সঁচা, কোনো সংশয় নাই। এই বিষয়ে বেছি কোৱাৰ সকাম নাই, হে মহামুনি! যি ক্ষেত্ৰত দেৱতা সকলেও মৃত্যুৰ আকাঙ্ক্ষা কৰে, মানুহ আদিয়ে ইচ্ছা কৰিবই। হে মহামুনি বাছা! সকলো পাপ নাশ কৰা কামৰূপৰ মাহাত্ম্য তোমাক সংক্ষেপমতে কলোঁ। মহাদেৱেও সেই ক্ষেত্ৰত আকৌ তপস্যাত নিযুক্ত হল। সতীয়ে হিমালয়ৰ ঘৰত দুই অংশে জন্ম ললে। উত্তমা প্ৰকৃতিয়ে, এইভাৱে দক্ষৰ ঘৰত ওপজি, লোক বিলাকৰ ৰক্ষাৰ নিমিত্তে, পৰমা কীৰ্ত্তি সংস্থাপন কৰি, আকৌ মহেশ্বৰক লাভ কৰিবলৈ মেনকাৰ উদৰত জন্ম ধৰিছিল। যি মানুহে, মহাপাতকনাশকাৰী দেৱীৰ এই চৰিত্ৰ পৰম ভক্তিৰে সৈতে শুনে তেওঁ শিৱত্ব পায়।

---

* "শিৱস্তু হৃষ্টচেতাঃ সন্ কামৰূপে মহামতিঃ।
কামাখ্যা নিকটে ভূয়ঃ চচাৰ পৰমং তপঃ॥
মহাপীঠস্য মাহাত্ম্যাদ্দেৱী ভগৱতী স্বয়ম্॥"

নাৰদ উবাচ।

কামৰূপস্য মাহাত্ম্যং কথয়স্ব মহেশ্বৰ!
যত্ৰ সাক্ষাৎ ভগৱতী প্ৰত্যক্ষফলদায়িনী॥
মন্যে সৰ্ব্বেষু পীঠেষু শ্ৰেষ্ঠোঽয়ং পৰমেশ্বৰ!
যতস্ত্বয়াপি তত্ৰৈৱ তপসাৰাধিতেশ্বৰী॥

শ্ৰীমহাদেৱ উবাচ।

"পীঠানাঞ্চৈক পঞ্চাশদভবন্মুনিপুঙ্গৱা।
অঙ্গ প্ৰত্যঙ্গ পাতেনচ্ছায়াসত্যা মহীতলে॥
তেষু শ্ৰেষ্ঠতমঃ পীঠঃ কামৰূপো মহামতে।
যত্ৰ সাক্ষাৎ ভগৱতী স্বয়মেৱ ব্যৱস্থিতা॥
তত্ৰ গত্বা মহাপীঠে স্নাত্বা লৌহিত্য বাৰিণি।
ব্ৰহ্মাঽপি নৰঃ সদ্যো মুচ্যতে ভৱবন্ধনাৎ॥
তত্ৰ স্নাত্বা বিধানেন পিতৄন্ সন্তৰ্প্য ভক্তিতঃ।
কামেশ্বৰীং নমস্কুৰ্য্যাৎ মন্ত্ৰেণানেন সাধকঃ॥

কামেশ্বৰীঞ্চ কামাখ্যাং কামৰূপ নিবাসিনীম্।
তপ্তকাঞ্চনসঙ্কাশাং তাং নমামি সুৰেশ্বৰীম্॥
ততস্তন্ত্ৰোক্তবিধিনা সম্পূজ্য পৰমেশ্বৰীম্।
জপহোমাদিকং কৃত্বা যাদৃশং ফলমশ্নুতে॥
তদ্বক্তুং নৈৱ শক্নোমি কৌটিভিৰ্বক্তুকৈৰপি॥
যস্য সঞ্জায়তে মৃত্যুস্তস্মিন্ ক্ষেত্ৰে মহামুনে।
স মুক্তিমেতি সদ্যো বৈ সত্যং সত্যং ন সংশয়ঃ॥
কিমত্ৰ বহুনোক্তেন যত্ৰ ক্ষেত্ৰে মহামুনে!
দেৱা মৰণমিচ্ছন্তি কিম্পুনমানবাদয়ঃ॥
ইতি তে কথিতং বৎস! সংক্ষেপেন মহামুনে!
কামৰূপস্য মাহাত্ম্যং সৰ্ব্বপাপ প্ৰণাশনম্॥
তস্মিন্ ক্ষেত্ৰে মহেশস্তু পুনস্তপসি সংস্থিতঃ।
সতী হিমবতো গেহে দ্বিধা ভূত্বা সমভ্যগাৎ॥
এবং দক্ষগৃহে জাতা স্বয়ং প্ৰকৃতিৰুত্তমা।
সংস্থাপ্য পৰমাং কীৰ্ত্তিং লোকানাং ত্ৰাণহেতৱে॥
জগাম মেনকাগৰ্ভং পুনলব্ধুং মহেশ্বৰম্।
য ইদং চৰিতং দেৱ্যা মহাপাতকনাশনম্॥
শৃণোতি পৰয়া ভক্ত্যা স শিৱত্বমবাপ্নুয়াৎ॥

ইতি মহাভাগৱতপুৰাণে দ্বাদশাধ্যায়ঃ।

আৱাহন



কাছাড়ৰ তাৰাপুৰ গাওঁৰ অধিবাসীসকল

জুয়েল অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা



আহোম সম্মিলনৰ কৃষি-শিল্প প্ৰদৰ্শনী উদ্বোধনৰ সময়ত
ডিব্ৰুগড়—১১ আৰু ১২ এপ্ৰিল—১৯৩৫

সোঁফালৰ পৰা, (২) মিঃ বি, ডি, ৰাজখোৱা বি, এ, (৩য়) জে, এন, গোহাঁই বি-এল, এম-এল-চি, (৪ৰ্থ) এচ, কে, বৰুৱা, (৫ম) এ, ৰাজখোৱা বি-এল, সম্পাদক অঃ সঃ, (৬) মৌঃ ফৈজনুৰ আলি বি-এল, সভাপতি অসম কাউন্সিল, (৭ম) ৰায়বাহাদুৰ পি, এন, গোহাঁই বৰুৱা জেনেৰেল চেক্ৰেটৰী, (৮ম) গভৰ্ণৰ স্যাৰ মাইকেল কিন, (৯ম) ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ, সভাপতি, (১০ম) জি, কে, গগৈ এম্-এ, (১১শ) চি, এন, দাস, (১২) পি, কে, বৰুৱা বি-এ, (১৩) বি, এন দাস।

[ফটো—এম, এন, বৰদলৈ]

জুহেল অফ ইণ্ডিয়া প্ৰেছ, কলিকতা

চাকৰি

গল্প—

—শ্ৰীযুত ত্ৰৈলোক্য নাথ গোস্বামী এম-এ

কলিকতা বিশ্ববিদ্যালয়ৰ বি, এ পৰীক্ষাত ফাৰ্ষ্ট ক্লাচ অনাৰ্চ পাই মনলৈ ডাঙৰ আশা আহিল—ভাল চাকৰি পাম। গেজেট বাহিৰ হবৰ দিনাই সেইবাবে আনন্দত উল্লাবল হৈ শ্ৰীযুত বৰুৱাৰ ঘৰলৈ গলোঁ। বৰুৱা তেতিয়া বয়সত বুঢ়াৰ শাৰীত পৰিলেও মই তেখেতৰ লগত কথা পাতি বৰ সুখ পাওঁ। মোৰ পৰীক্ষাৰ খবৰ শুনি বৰুৱাই বৰ আনন্দ প্ৰকাশ কৰিলে আৰু কলে "স্কুল বিভাগৰ এটা চাকৰিত বৰ্ত্তমানে সোমাই লোৱা।"

মই বৰ সন্তুষ্ট নহলোঁ। ক'ত মোৰ ফাৰ্ষ্ট ক্লাচ অনাৰ্চ আৰু ক'ত স্কুল বিভাগৰ সামান্য চাকৰি! মনত খঙেই উঠিল। তথাপিতো বুঢ়া মানুহ যি কলে কলে বুলি কোনো খং নেদেখুৱাই গম্ভীৰ ভাৱে কলোঁ "চাকৰি হল বুলিনো যতে ততে সোমাব পাৰিনে মহা! যেই সেই চাকৰি কৰিলে নিজৰ ইজ্জৎহে নষ্ট হয়। অৱশ্যে সুবিধা চাই এটা ভাল চাকৰিত সোমাব লাগিবই।"

"এৰা আমিও তাকেই আশা কৰিছো বোপা। তোমালোকৰ দৰে ডেকাই ভাল চাকৰি নকৰিলেনো কোনে কৰিব? পিছে দিন যেনেহে হব ধৰিছে খাতিৰ-খুটিৰ নহলে ভাল চাকৰিত কিবা ব্যৱধান হব বুলিহে সম্প্ৰতি স্কুলৰ চাকৰিতে সোমাব কৈছোঁ।"

মহাৰ এইখিনি কথাৰ পিছত মোৰ খঙে অলপ শাম কাটিলে। সেইবাবে আগতকৈ অলপ বিনয়ৰ সুৰত কলো "হয়, আপুনি ঠিকেই কৈছে। চাকৰি কৰাই উদ্দেশ্য যেতিয়া যেই সেই এটাত সোমাই লৈ অইন চাকৰিৰ অনুসন্ধানত থাকিব পাৰি।"

বৰুৱাই মোৰ কথা শুনি এটা মিচিকিয়া হাঁহি মাৰি কলে "এঠাইত সোমোৱাই ভাল বোপা। তোমাক পঢ়াই পঢ়াই পিতাৰৰ অৱস্থা বেয়াই হৈ গল। এতিয়া তুমি চাকৰি নকৰিলে উপায় নাই।"

মই "হয় হয়" বুলি মূৰ দুপিয়াই তেখেতৰ কথাকে সমৰ্থন কৰি আন ঠাইত অলপ কাম আছে বুলি তাৰ পৰা ওলাই আহিলো। মহাৰ ঘৰৰ পৰা ওলাই অহাৰ অলপ পিছতে ষ্ট্ৰেণ্ড ৰোডত মোৰ বন্ধু মিঃ কলিতাক লগ পালোঁ। মিঃ কলিতাই কমিশ্যনাৰ অফিচত গেজেটৰ পাত লুটিয়াই এইমাত্ৰ ষ্ট্ৰেণ্ড ৰোড পাইছেহি। মোক দেখা পায়েই তেওঁ চিঞৰি উঠিল "কিহে বৰুৱা একদম ফাৰ্ষ্ট ক্লাচ! ডাঙৰ চাকৰি মিলিছে; এতিয়া মিঠাইৰ বন্দোবস্ত কৰাগৈ।"

মহাইতৰ ঘৰতে মোৰ মনটো অলপ চাকৰি ভাবাপন্ন হৈ আহিছে। তাতে আকৌ উমাই উমাই জ্বলি থকা জুইকুৰাৰ খৰি কেইডাল মিঃ কলিতাই আগুৱাই দিয়াত সি অলপ প্ৰৱল হৈ দেখা দিলে। মই একো কথা বতৰা নপতাকৈয়ে পোনাই সুধিলো "ৰবাচোন চাকৰিৰ কথাটো বৰকৈয়ে কৈছা। পিছে কি চাকৰিৰ বাবেনো দৰ্খাস্ত কৰা ভাল দেখা?"

মিঃ কলিতাই চিগাৰেটত দুটামান হোপা মাৰি উত্তৰ দিলে "ই,এ, চি চাকৰিয়ে ভাল। তাতেই নাম ৰেজিষ্টাৰ কৰাগৈ।"

মিঃ কলিতাৰ কথা শেষ হওঁ নহওঁতেই আমাৰ মাজৰ দীঘল টকনিধাৰী "অধ্যাপক" আৰু 'গুৰুদেৱ' শ্ৰীযুত শৰ্ম্মাই ধেক্ ধেক্‌কৈ বঙা কলা দাঁত কেইটা উলিয়াই এটা হাঁহি মাৰি কৈ উঠিল "চব্ ডেপুটিৰ চাকৰিও একো বেয়া নহয়।"

দুয়োৰো চকু শৰ্ম্মাৰ ওপৰত পৰিল। তেখেতে দাঁতৰ আলুলৈকে উলিয়াই আকৌ এটা ডাঙৰ হাঁহি মাৰিলে আৰু কলে "দৰ্ম্মহা বেছি হলে সকলো চাকৰিয়ে ভাল।" মিঃ কলিতায়ো শৰ্ম্মাৰ কথাতে হয়ভৰ দিলে। তাৰ পিছত

তিনিও অলপ সময় অইন কথা বতৰা পাতি দিহা দিহি গুচি গলোঁ।

মিঃ কলিতাক আৰু শৰ্ম্মাক এৰি অহাৰ পিছত বাটত মই কোনো চিনাকি মানুহ লগ পোৱা নাই। সেইবাবে পোনাই মই মোৰ ভৰলু মুখৰ বহালৈ অহাত বেছি বেলি নালাগিল সন্ধ্যাৰ আগে আগেই আহি পালোঁ। নিশা মোৰ বহালৈ কেবা জনো বন্ধু আহি মোক ধন্যবাদ জ্ঞাপন কৰি গল। তেওঁলোক আটায়ে মোক চাকৰিৰ বাবে চেষ্টা কৰিব কলে।

চাকৰিৰ চেষ্টা কৰাৰ আগেয়ে কলেজৰ চাৰ্টিফিকেট খন হাতত নাৰাখিলে একো নহয়। সেই বাবে পিছদিনা অফিচলৈ গৈ চাৰ্টিফিকেটৰ বাবে দৰখাস্ত কৰিলো। মই দুখীয়া মানুহ। সোনকালে চাকৰি এটাত নুসুমালে বৰ অসুবিধা হব বিবেচনা কৰি প্ৰিন্সিপাল চাহাবকো চাৰ্টিফিকেটখন সোনকালে দিবলৈ ধৰিলো। তেখেতেও দয়া কৰি মোক এখন ভাল চাৰ্টিফিকেটেই দিলে।

এই চাৰ্টিফিকেটখন চাই সকলোৱে কলে "তোমাৰ চাকৰি গজি আছে।" কথাটো যদিও কাল্পনিক তথাপি ইয়াত ইমান সোৱাদ আছে যে তাক হাজাৰ বাৰ কলেও সি নিৰস হৈ নপৰে, বৰং তাৰ ৰস শত সহস্ৰ আনকি লক্ষ গুণেও বাঢ়ি যায় যেনহে লাগে। নিৰাশাবাদী সকলে আশাৰ মাজতো সন্দেহৰ ছাঁ দেখি ভয়তে কোচ মোচ খায়। কিন্তু মই আশাবাদী। সন্দেহৰ অস্পষ্ট ছাঁয়ে মোক হতাশ কৰিব নোৱাৰে। বহুতৰে ভবিষ্যত কলা ঢাকনিৰে ঢকা কিন্তু তেতিয়া মোৰ ভবিষ্যত নিৰ্ম্মল পানীৰ নিচিনা ফট্‌ফটিয়া।

শুভদিন শুভক্ষণ চাই চাকৰি আশা কৰি দৰ্খাস্ত দিলো। মন অধীৰ হৈ উঠিল; যেন উৰিবলৈ তাৰ ইচ্ছা হল। মনক প্ৰবোধ দিলো মাত্ৰ তিনি মাহ অপেক্ষা কৰা—অক্টোবৰ, নবেম্বৰ, ডিচেম্বৰ।

গুৱাহাটীৰ কাম মোৰ প্ৰায় শেষ হল। ঘৰৰ পৰা এপাক মাৰি আহিব পাৰিলে ভাল। বন্ধু-বান্ধৱ, মিতিৰ কুটুমে চাগৈ মোক চাবলৈ আৰু ধন্যবাদ দিবলৈ আকুল হৈ পৰিছে। এইবিলাক ভাবি গৈ দেখো মোৰ বহাৰ আগত শ্ৰীমান নৰেন থিয় হৈ আছে। নৰেন মোৰ সৰু ভাই। সি হাইস্কুলৰ কেইটামান শ্ৰেণী পঢ়িয়েই টকাৰ অভাবত পঢ়া এৰিবৰ বাধ্য হল। এতিয়া সি পামত খেতি বাতি কৰিছে। এই ভৰ খেতিৰ সময়ত তাক অহা দেখি মই আচৰিত হলো। আচৰিত হবৰ কথাই, কিয়নো যোৱা পৰহি মাথোন ঘৰৰ পৰা এখন চিঠি পাইছো, সকলোৱে ভালে আছে।

বহাৰ ওচৰ পালোহি। আচৰিত হৈ সুধিলো "তই কেলেই আহিছ নৰেন?" "পিতাই তোমাক নিবলৈ পঠাইছে?"

মই বৰ অধীৰ হৈ সুধিলো "কিয়! ইমান দৌৰা-দৌৰি কৰাৰ দৰ্কাৰ কি? দুদিন পিছত মই নিজেই ঘৰলৈ গলোহেতেন।"

নৰেনে কথাটো খুলি কবৰ বাধ্য হল "কোনোবা এজন হাজৰিকা আহি বৰুৱা হাকিমৰ ঘৰত আছে। তেখেত হেনো টি-প্লেণ্টাৰ। তেখেতৰে বোলে তোমাৰ লগত কিবা দৰ্কাৰ আছে।"

মোৰ গাটো হঠাৎ যেন জিকাৰ খাই উঠিল। টি-প্লেণ্টাৰ হাজৰিকা কোন মই নাজানো; সেই বাবে কি সকামত তেখেতৰ মোৰ দৰ্কাৰ তাকো ভালকৈ ধৰিব নোৱাৰিলো। সকাম চাকৰিও হব পাৰে কিন্তু হাজাৰ টকা দিলেও বাগিছাৰ চাকৰিৰ বাবে মোৰ মন খোলা নহয়—তাত সম্মান কম।

মূৰ তুলি চালোঁ। ভৰলুমুখৰ দলঙৰ ওপৰেদি শ্ৰীযুত শৰ্ম্মা বেগা বেগিকৈ যাব ধৰিছে। মাত লগালোঁ "হেৰি গুৰুদেৱ, যায় কলৈ? ৰব ৰব অলপমান।"

শৰ্ম্মা থিয় হল, মূৰ ঘূৰাই চালে আৰু কলে "মই এই কামাখ্যালৈ যাওঁ বৰ দৌৰা দৌৰি আছে।" এই বুলি তেওঁ আকৌ খোজ ললে।

মই "ৰব ৰব" বুলি বেগা বেগিকৈ আহি তেওঁৰ লগ ধৰিলোঁ আৰু কলোঁ "এটা কথাৰ বাবে মনত খুকুৰি লগাত আপোনাৰ ওচৰলৈ আহিলোঁ।"

শৰ্ম্মাই সুধিলে "কি কথা?" "আজি এজন মানুহে মোক এটা খবৰ দিওঁতে মোৰ গাটো হঠাৎ কঁপি উঠা যেন

পালোঁ। খবৰটোও একো বেয়া নহয়। এনেস্থলত মোৰ গা কঁপি উঠাৰ কাৰণ কি?"

শৰ্ম্মাই অলপ সময় একো নামাতি কিবা কিবি ভাবি হঠাৎ কৈ উঠিল "তোমাৰ সোঁহাতখন কঁপা যেন পাইছিলা নে?"

মই কলোঁ "এৰা পাইছিলোঁ যেন লাগে।" শৰ্ম্মাই এইবাৰ তপৰাই কৈ উঠিল "স্ত্ৰী লাভ,—স্ত্ৰী লাভৰ যোগ আছে।"

মই হাঁহি হাঁহি কৈ উঠিলোঁ "বাঃ আপোনাৰ জ্যোতিষ শাস্ত্ৰ বেছ। কথাটো প্ৰকৃত সত্য হওক বা নহওক ই অন্ততঃ অনুমানত সত্য।" শৰ্ম্মাক ধন্যবাদ জনালোঁ, বহাত নৰেন আছে, তেখেতৰো দৌৰা দৌৰি সেই বাবে শৰ্ম্মাক এৰি আকৌ বহালৈ উভতিলোঁ।

পিছ দিনা পুৱাতে ঘৰলৈ যাত্ৰা কৰিলোঁ। ঘৰ আহি পায়েই দেখিলোঁ এজন অচিনাকি ভদ্ৰলোক আমাৰ ঘৰত বহি পিতাৰ লগত কথা পাতি আছে। নৰেনে কলে এৱেই সেই হাজৰিকা। ভিতৰলৈ গৈ জানিব পাৰিলোঁ শৰ্ম্মাৰ কথাই ঠিক। তেখেতৰ এজনী ছোৱালী আছে, পঢ়ে হাইস্কুলৰ ৮ম মান শ্ৰেণীত। এই ছোৱালীজনীকে মোক গটাই তেখেতে আমাৰ লগত মিতিৰালি পাতিব খোজে।

হাজৰিকাৰ লগত কথা পাতিলোঁ। কিন্তু আচৰিত কথা যে তেখেতে ছোৱালীৰ কথা মোৰ আগত নুলিয়ালে; মাথোন কলে "তুমি বোধহয় উজনি অসমৰ পিনে যোৱা নাই। মোৰ লগতে ওলোৱা। আমাৰ ঘৰতে দুই চাৰি দিন থাকি চাই চিতি আহিবা।"

মই সন্মতি বা অসন্মতি একো নজনোৱাৰ আগতে পিতাই কৈ উঠিল—"যা'ক সি আপোনাৰ লগতে। চাকৰি বাকৰিবো কিজানি কৰবাত সুবিধা হয়েই। সিনো ঘৰত থাকি কি কৰিব?"

মই অসন্মত হোৱাৰ একো কাৰণ নাই। সেইবাবে দুদিন পিছত হাজৰিকাৰে সৈতে যোৰহাট অভিমুখে ৰওনা হলোঁ। মৰিয়নি ষ্টেশ্যনৰ পৰা হাজৰিকাৰ মোটৰে আমাক তেখেতৰ ঘৰলৈ লৈ গ'ল। হাজৰিকাৰ ঘৰ দুৱাৰ দেখি মনত ধাৰণা কৰিব পাৰিলো, তেখেত কিমান টকাৰ মানুহ। তেখেতৰ ঘৰৰ কম্পাউণ্ডটো যথেষ্ট ডাঙৰ, দুমহলীয়া ঘৰ তিনিটা; তাৰে ভিতৰত তেখেতসকলে থকাটো আটাইতকৈ শুৱনি, পৰিষ্কাৰ পৰিচ্ছন্ন আৰু ডাঙৰো। ঘৰত মোটৰ গাৰী ৪খন, চাকৰ চাকৰাণীয়ে মিলি দহজন আৰু ৰান্ধনী দুজন। তেখেতৰ নিজৰ পৰিয়াল বৰ বেছি নহয়, কিন্তু বাহিৰা মানুহৰে তেখেতৰ ঘৰ ভৰা। অতিথি অভ্যাগতে তেখেতৰ ঘৰ সদায় ভৰি থাকে। মুঠৰ ওপৰত তেখেত এজন জমিদাৰ।

সন্তানৰ ভিতৰত তেখেতৰ ছোৱালীজনীয়েই ডাঙৰ মাজতে ল'ৰা দুজন আৰু তাৰে তলত আকৌ এজনী নিচেই সৰু ছোৱালী। ডাঙৰজনী ছোৱালীৰ নাম নিৰ্ম্মলা, ঘৰত নিমু বুলি মাতে।

হাজৰিকাইতৰ ঘৰত মই কেবাদিনো থাকিলো। খোৱাই-লোৱাই থকা-মিলাই মই বৰ সুখ পালো, তেনে সুখ ঘৰত এদিনো পোৱা নাই। খোৱা লোৱাৰ কথাকে নকওঁ মোৰ ভাল লাগিল হাজৰিকাৰ পৰিবাৰক আৰু তাতোকৈ ভাল লাগিল নিৰ্ম্মলাক।

নিৰ্ম্মলা দেখাত যেনে ধুনীয়া, কাম কাজেও তেনে পটু আৰু কথা বতৰাতো তেনে মিঠা। এই কেইদিনৰ ভিতৰত নিৰ্ম্মলাৰ লগত মোৰ বেছ মিলা-প্ৰীতি হৈ গল। কেবাদিনো ফুৰিবলৈ যাওঁতেও দুয়ো মোটৰৰ একেখন ছিটতে বহি গৈছো। কথাই কথাই হাঁহিছো, কেতিয়াবা ঠাট্টা কৰিছো, গান শুনিছো আৰু কেতিয়াবা অনিমেষ নেত্ৰে তেওঁৰ ৰূপ-মদিৰা পান কৰিছো।

এদিন ৰাতি হাজৰিকা আৰু মই এটা ৰুমত বহি আছোঁ। হাজৰিকাই নিমুক হাৰমোনিয়ামেৰে এটা গান গাবলৈ কলে। নিৰ্ম্মলাই দেউতাকৰ কথা মতে এটা গান গালে। গানটো বীৰত্ব পূৰ্ণ কিবা 'কেদাৰা' নে কি সুৰৰ। গানটো গোৱাত বৰ ভাল হৈছিল যদিও, কোমল মাতেৰে বীৰত্ব পূৰ্ণ গান গালে ভাল নুশুনি—এনেকুৱা এটা মতৰ বশৱৰ্ত্তী হোৱা গতিকে মই তাত অলপ খুঁত উলিয়াব পাৰিলো। গান বাজনাৰ অভিজ্ঞতা মোৰ সমূলি নাই। সুৰ, তাল, মান এইবিলাক মই মুঠেই বুজি নাপাওঁ। তথাপি

মোৰ কাণ আছে। আনে কিবা গালে মোৰ কাণত ভাল লাগিলে তাক ভাল আক বেয়া লাগিলে বেয়া বুলি কওঁ। নিৰ্ম্মলাৰ গানটো গোৱা শেষ হোৱাৰ পিছত হাজৰিকা কমৰ পৰা গ'ল। তেতিয়াহে মোৰ নিৰ্ম্মলাক ধন্যবাদ দিবলৈ মনত পৰিল। মই কলোঁ "তুমিতো বেছ গান গোৱা।"

নিৰ্ম্মলাই দীঘল সুবত "ই-ই-হ্" বুলি কৈ তল মুৰ কৰিলে। ঈশ্বৰ বক্তিম আভা এটিয়ে তেওঁৰ মুখ-মণ্ডল পোহৰ কৰি অলপ পিছতে অন্তর্হিত হ'ল। মই কলো "লাজ কৰিব নালাগে দিয়া আকৌ এটা গোৱা।" নিৰ্ম্মলাই হাৰমোনিয়মটো ললে। এই বাৰ বোলে "বাগেশ্রী।" সুবৰ নামটো শুনি মই যি ভাবিছিলোঁ, গানত তাৰ ওলোটাটো হ'ল। নিৰ্ম্মলাই যেন প্ৰাণৰ পৰা এই গান গালে। ইয়াৰ প্ৰত্যেক তানেই মোৰ হৃদয় তন্ত্রীত মৃদুমন্দ আঘাত কৰিলে। এবাৰ বিৰিকিৰ পিনে চালোঁ কেৱে কতো নাই। অন্তৰত সুপ্তসিংহ জাগৰিত হ'ল। এক যুৱতীয়ে প্রাণ মাতোৱাবা কবি মোৰ হৃদয়ত সঙ্গীতৰ ধ্বনি তুলিছে আক মই যুৱক—মই অস্থিৰ হৈ পৰিলো। মুৰ তুলি নিৰ্ম্মলাৰ মুখলৈ চাওঁ, গানৰ লগতে তেওঁৰ ওঠত এটা আধা ফুটা হাঁহিয়ে লুকাভাকু খেলিছে! যুৱক মই—ধৈর্য্য হেৰুৱালো। চকিখনৰ পৰা একে জাপেই উঠি দুহোহাতেৰে নিৰ্ম্মলাৰ দুডো কান্ধত ধৰি মাতিলো "নিৰ্ম্মলা।" সুললিত সঙ্গীতৰ ধ্বনি বন্ধ হ'ল। লাহে ২ চেহাৰত এটা শব্দ হোৱা যেন শুনিলো। মই কাঠৰ পুতলাৰ দৰে থিৰ হৈ থাকিলো। অলপ পিছতে এজনী চাকৰাণী আহি মোক মাতিলে "ভাত দিছে আহক।" মোৰ ধ্যান ভাঙিল। চাওঁ যে মই দুহোহাতেৰে নিৰ্ম্মলা নহা চেয়াৰখনত থামুচি ধৰি আছো আৰু নিৰ্ম্মলা নাই। সোঁহাতখনেৰে জেপৰ পৰা কমালখন উলিয়াই মুখৰ ঘামবিলাক মছিলো। এনেতে নিৰ্ম্মলা আহি মাত লগালে "কি ভাবিছে আহক, আপোনাৰ ভাত দিছে।" মন্ত্র মুগ্ধৰ দৰে মই নিৰ্ম্মলাৰ পাছে ২ গলো।

(২)

অক্টোবৰ, নবেম্বৰ, ডিচেম্বৰ তিনি মাহ অতিবাহিত হৈ গল, তথাপি চাকৰিৰ কোনো আশা নেদেখিলো। পৰিলহি বহুদিনৰ পৰা আশা কৰি থকা জানুৱাৰী মাহ। দুই চাৰিজনে চিলেক্শুন বোৰ্ডলৈ নিমন্ত্রণ পালে। মই নোপোৱাৰ কাৰণ কি? কিবা ভুল হব পাৰে ভাবি পেণ্ট অফিচলৈ গলো। খবৰ কৰিলো কিন্তু মোৰ নামৰ একো চিঠি পত্র নাই। পিছ দিনাও গলো—নাই, তাৰ পিছ দিনা —সেই একে কথা; তাৰ পিছদিনা বোৰ্ডেই বহিব। মনলে হতাশৰ ভাব আহিল। মোৰ লগৰ বন্ধু মিঃ কলিতাই ইতিহাসৰ চেকেণ্ড ক্লাচ অনার্চ পাই নিমন্ত্রণ পালে কিন্তু মই ইকনমিক্সৰ ফার্ষ্ট ক্লাচ অনার্চ পাগো নাপালো। ইয়াৰ কাৰণ কি? মিঃ কলিতা ই,এ, চিব লবা, সেই বুলিয়েই নেকি? মোৰ মনত পৰিল গুৰুদেৱলৈ। তেৱো মোৰ দৰে দুৰ্ভগীয়া। সংস্কৃতৰ ফার্ষ্ট ক্লাচ অনার্চ পায়ো তেওঁৰ আক মোৰ অৱস্থা একে।

যি আশা বুকুত বান্ধি দৈ ইমান কল্পনা জল্পনা কৰিছিলো সি মূলতে নষ্ট হ'ল। আজি কলিতাৰ লগত মোৰ কেনে প্রভেদ। তেওঁ হয়তো এইবাৰ বোৰ্ডত নমিনেচন পাই ই,এ,চিব গাদীত আয়নেৰে বহি থাকিব আক মই ঘুৰ বেহি হলে এটা সামান্য স্কুলৰ চাকৰি কৰিম। ধাৰবাটোৱে যেন মোক ফিপ্ত কৰি তুলিলে। মই চিএৰি উঠিলো "নাগে খাব নাপাই শুকাই মৰিম তথাপি এই চাকৰি নকলো।" লাহে ২ মনৰ ঘৎ মনতে মাৰ গ'ল। চিন্তাৰ খৰতৰ স্রোত অইন পিনে বৰলৈ ধৰিলে। মনলৈ ভাব আহিল। ওৱাহাটীৰ কাচ্চন হল, কটন কলেজ লাইব্রেৰী আক ন কলেজ লাইব্রেৰী শেষ কৰিম—ভূতত্ত্ব, নৃতত্ত্ব, পশুতত্ত্ব একোকে বাদ নিদিও আক অহাবাৰ ই, এ, চিব পৰীক্ষাত ১ম স্থান অধিকাৰ কৰিম।" মোৰ মন ডাঠ কৰিলো। হৃদয় নতুন আশাত ফীত হৈ উঠিল। ততালিকে পৈ পিতাৰ পৰা অনুমতি ললো।

ওৱাহাটী পাহেই শ্রীযুত শর্ম্মাক লগ ধৰাত তেখেতে মই তেনেই ক্ষীণাই যোৱা বুলি কলে। চিন্তা ভাবনাৰ দি খলকনি মোৰ মনত উঠিছিল মই ধ্বংস হৈ নহঁ যে জীয়াই আছো সেয়েই যথেষ্ট। যি হওক যোৱ অলপ অসুখ হোৱা বুলি শর্ম্মাৰ আগত মই ক্ষীণাই যোৱাৰ কাৰণ কলো।

কেমাহ মান গ'ল। ল কলেজত নাম লিখাব সময় আহি পৰিছে। পিতাই কেবাখনো চিঠিত মোকো ন

কলেজত নাম লিখিব কৈ আছে। মোৰ হলে এই ফালৈলৈ অলপো আগ্রহ নাছিল। আগ্রহ নোহোৱাৰ প্রধান কাৰণ হৈছে এয়ে যে ওকালতি ব্যৱসায় আজিৰ বজাৰত মন্দা। তথাপি পিতাৰ কথা মতে টকা ডেকুৰি হাতত লৈ এদিন বতি পুৱাতে দিঘলী পুখুৰীৰ পাৰ পালোগৈ। কলেজৰ ভিতৰলৈ সোঁমাই গলো। মোক দেখা পাহেই কলেজৰ লাইব্রেৰীয়ান শ্রীযুত—এ আচৰিত হৈ কৈ উঠিল "কিহে চৌধুৰী, তোমাৰো চাকৰি বাকৰিৰ একো সুবিধা নহল নেকি? এতিয়া ল পঢ়িবা বোধকৰো? কি হব ল পঢ়ি?"

ইয়াতো সেই চাকৰিৰ কথা। মই চাকৰি নোপোৱাৰ বাবে সকলোকে মোক ইতিকিং কৰে হবলা। বাক, মই চাকৰিকে কৰিব লাগিব। মনত ল কলেজত নাম লেখা যি অলপ ধাৰণা আছিল সি ফাণ্ডনৰ পচোৱাক কোবত ধূলি উৰোৱা দি উৰি গল। লাইব্রেৰীয়ানৰ "কি হব ল পঢ়ি" এই কথাষাৰ মোৰ অন্তৰত কেবা বাৰো বাজি উঠিল। তৎক্ষণাৎ স্থিৰ কৰি পেলালো "ল কলেজত নাম নেলেখোঁ।"

বাহিৰলৈ ওলাই আছিলো। জজফিল্ড পাৰ্ক্তে পাৰ্ক্তে কবাৰ পৰা এছাটি বতাহ আহি মোৰ কপালৰ আগৰ চুলি চেইডাল অলপ লবাই দি গ'ল। মোৰ মুৰ কামুৰিছিল। কাছাৰি ঘাটত ভাল বতাহ পাম বুলি তালৈ খোজ ললো। ঘাটত বেছি মানুহ নাই। ৪।৫ জন কলেজৰ ডেকা বহি মেল মাৰি আছে। মই অলপ আঁতৰত থিয় দিলোগৈ। ডেকাকেইজনৰ কথাবোৰ মোৰ কাণ খৰা। তেওঁবিলাকৰ এজনে কোৱা শুনিলো "এঃ বৈ দিয়া তোমাৰ মেৰিট। যোৱা বছৰ আমাৰ কলেজৰ পৰা ইকনমিক্সৰ ফার্ষ্ট ক্লাচ পোৱা চৌধুৰীটৈ নোচোৱা কিয়? চাকৰিত মেৰিট্ ফেৰিট্ একো দৰ্কাৰ নাই।"

মোৰ সহ্য নহল। যদৈ যাওঁ তাতেই সেই একে কথা। হায়, ফার্ষ্ট ক্লাচ পাই মই কি দোষ কৰিছিলো! তাৰ পিছত ৰাহলৈ খোজ ললো। মনত পৰিল শর্ম্মাটৌ। আজি শর্ম্মা ওৱাহাটীত থকাহেঁতেন তেওঁ মোক শান্ত্বনা দিব পাৰিলেহেঁতেন। কিন্তু মই আহি পোৱাৰ তিনি দিন পিছতেই তেওঁ গাৰ্ডৰ ঘৰলৈ গৈছে। তেতিয়াৰ পৰা তেওঁৰ একো খবৰ পোৱা নাই। মিঃ কলিতা, তেৱো আজি কালি ডিব্রুগড়তে থাকে। মোৰ অন্তৰৰ বন্ধু আজি ওৱাহাটীত কোনো নাই।

মোৰ অন্তৰৰ আশা-নিৰাশা, সুখ দুখৰ যি খলকনি উঠিছিল তাক কোনোৱে জানিব নোৱাৰিলে। সকলোকে মই নীৰৱে অকলে সহিলো। কেতিয়াবা মোৰ দুখৰ কথা নিৰ্ম্মলালৈ চিঠি লিখি জনাবৰ ইচ্ছা হৈছিল; কিন্তু অযথা তেওঁৰ মনত দুখ দিয়া উচিত নহয় ভাবি লিখা নহল।

আকৌ কিছুদিন গল। লাহে লাহে মনক স্থিৰ কৰি আনিবলৈ চেষ্টা কৰিলো। কিন্তু ই যে বৰ টান কাম! ছাত্র অৱস্থাত মোৰ মন যেনে আছিল আজি সি তাতকৈ বহুতো বেলেগ। আগেয়ে মনক সংযত কৰি তাৰ গতি নির্দ্দেশ কৰা সহজ আছিল।

কিন্তু আজি মনক চলোৱা বৰ টান। আজি তাৰ চিন্তা ভাবনাৰ সামগ্রী বহুতো। তথাপি চেষ্টা কৰিলো। কার্জ্জন হল লাইব্রেৰীৰ পৰা যথেষ্ট কিতাপ পঢ়া হ'ল; কিন্তু কিবা যে জ্ঞান উপার্জ্জন কৰিব পাৰিলো তেনে ধাৰণা মুঠেই নহ'ল। নিজে কিবা জানো নাজানো অইনে হলে কৈছিল "চৌধুৰীয়ে এইবাৰ যেনে তেনে চাকৰি পাব।" এইবোৰ কথা শুনিলে মোৰ মনত ঘৎ উঠে। সহিতব এই কথাবোৰ যেন মোৰ ওপৰত অভিশাপৰূপে পতিত হয়। পঢ়া-শুনাৰ মাজেদি কিছুদিন যোৱাৰ পিছত মোৰ মনত আকৌ এটা নতুন চিন্তাই ঠাই পালেহি। নিৰ্ম্মলাৰ বাবে মোৰ মন বৰ চঞ্চল হৈ উঠিল। তেওঁৰ পৰা আজি কেবাদিনো একো খবৰ পোৱা নাই। দুখনো চিঠি দিয়া সত্ত্বেও উত্তৰ একো নাপাই মোৰ চিন্তা দিনকদিনে বাঢ়ি যাবলৈ ধৰিলে। মনৰ মাজত আকৌ নতুন একুৱা চিন্তা-চিতাৰ জুই দপ্ দপ্ জ্বলি উঠিল। ই-এ চিব পৰীক্ষালৈ আৰু বৰ বেছি দিন নাই। এনে সময়ত মই যোৱহাটলৈ গলেও বৰ লোকচান। তথাপি মনে প্রবোধ নামানিলে। দুর্জ্জয় মন শেহত জয়ী হৈ উঠিল। কোনোবাই যেন মোক কাণে কাণে কৈ গ'ল "নিৰ্ম্মলা বিহীন চাকৰিত তোমাৰ সুখ নাই।" হৃদয়ৰ আধা মেলা নতুন দুৱাৰ এখন ভালকৈ মেল

খালে। প্ৰীতিৰ এই দাৰুণ সন্দেহ মই এৰাব নোৱাৰিলো। সেইবাবে দুদিন পিছত যোৰহাট অভিমুখে ৰওনা হলো!

গাৰীত যোৱা সময়খিনি অকল নিৰ্ম্মলাৰ চিন্তাই মোক তন্ময় কৰি ৰাখিছিল। মনত কত কি ভাবৰ খেলি মেলি লাগিছিল তাৰ সীমা নাই।

লাহে ২ যোৰহাট পালোগৈ। হাজৰিকাইতৰ ঘৰ পাই দেখো হাজৰিকা আৰু নিৰ্ম্মলা ঘৰত নাই। খবৰ কৰি জানিব পাৰিলো দুজন ভদ্ৰলোকেৰে সৈতে তেওঁলোক মোটৰত গৈছে। গধূলি আহিব।

এনে অৱস্থাত ফেঁচাটোৰ দৰে ড্ৰইং ৰুমৰ এচুকত মন মাৰি বহি থকাৰ বাহিৰে মোৰ একো উপায় নাছিল। নিৰ্ম্মলাৰ মাকৰ খবৰ কৰি জানিব পাৰিলোঁ তেওঁৰো অসুখ। সেইবাবে ড্ৰইং ৰুমৰ এখন চকিৰ ওপৰতে মই অকলে বহি থাকিবৰ বাধ্য হলোঁ। সন্ধ্যা লাগি পাৰ হল, নিৰ্ম্মলাইতৰ মোটৰ আহি নাপালে। ঘৰিটোলৈ চালোঁ —আঠ বাজি দহ মিনিট গল। তথাপি তেওঁলোক নাই। আকৌ বহুত সময় অপেক্ষা কৰিলো; চাৰে আঠ বাজিল, তথাপি নাই। অৱশেষত বিমৰ্ষ মনেৰে সেই চকিৰ ওপৰত বহি থাকোঁতে মোৰ চকুযোৰ জাপ খাই গল। হঠাৎ মোটৰৰ শব্দ শুনি চেয়াৰৰ পৰা উঠি বাহিৰলৈ চাওঁ মিঃ কলিতা আৰু নিৰ্ম্মলা মোটৰৰ পাছৰ ছিটত আৰু হাজৰিকা আৰু শ্ৰীযুত শৰ্ম্মা আগৰ ছিটত। ইয়াৰ অৰ্থ কি মই একো বুজিব নোৱাৰিলো। হঠাৎ মোৰ মনলৈ আহিল "নিৰ্ম্মলাই চিঠি নিদিয়াৰ কাৰণ মিঃ কলিতাই নেকি"?

মই এইবোৰ ভাবি থাকোঁতে থাকোঁতে মিঃ কলিতা আৰু শৰ্ম্মাই মোক দেখা পালে। তেওঁলোক দুয়ো বৰ আচৰিত হল আৰু একেলগেই কেবাটাও প্ৰশ্ন কৰিলে। "আপোনালোককে চাবলৈ আহিছো, হাজৰিকাৰ লগত আগৰ পৰিচয় আছে" ইত্যাদি উত্তৰেৰে তেওঁলোকৰ কথাৰ সমিধান দিলো। হাজৰিকাই মোৰ লগত একো কথা নপতাকৈয়ে ভিতৰলৈ গুচি গল। শৰ্ম্মা মই আৰু কলিতা তিনিও বাহিৰলৈ ওলাই আহিলো। প্ৰথমতে আমাৰ মাজত কোনে কি কৰিছে এই বিষয় প্ৰশ্ন ওলাল। শ্ৰীযুত শৰ্ম্মাৰ কথাৰ পৰা জানিব পাৰিলো তেখেতে চাকৰিৰ আশা এৰিছে। অলপতে তেখেতে আয়ুৰ্ব্বেদৰ উপাধি পৰীক্ষা দি গুৱাহাটীত এখন আয়ুৰ্ব্বেদ ঔষধালয় খুলিব। মিঃ কলিতাই যোৱা বাৰ নমিনেশ্যন নাপালে যদিও এইবাৰ তেওঁৰ খুব আশা আছে। অকল ময়েই মাথোন সকলো বিষয়তে আশা নিৰাশাৰ মাজতে থাকিব লগা হৈছে যেন দেখিলো।

যি হওক বহুদিনৰ মূৰত তিনিওৰো দেখাদেখি হোৱাত নানান কথা ওলাই পৰিল। এবাৰ কথাৰ মাজতে শ্ৰীযুত শৰ্ম্মাই মোক সুধিলে "মিছেছ, কলিতাক তুমি আগৰে পৰা চিনি পোৱা নেকি, চৌধুৰী?"

মই একো বুজি নাপাই শৰ্ম্মাৰ পিনে ৰ'লাগি চাই ৰলো। শৰ্ম্মাই আকৌ কলে "ভেবা লাগি চাই থাকিলা যে?" মই সেপ ঢুকি সুধিলো "মিছেছ্ কলিতা কোন?" শৰ্ম্মাই তপৰাই মাত লগালে "এঃ সেই যে এতিয়াই গাৰীৰ পৰা নামি গল তেৱেঁই মিছেছ্ কলিতা।" "কোন? নিৰ্ম্মলা?"—মই আচৰিত হৈ সুধিলো। মিঃ কলিতাই এইবাৰ এটা মিচিকিয়া হাঁহি মাৰি মাত লগালে "এৰা তেওঁৰ নাম নিৰ্ম্মলাই, ঘৰত নিমু বোলে"। কলিতাৰ মিচিকিয়া হাঁহি আৰু কথাখিনিয়ে মোৰ অন্তৰত কি এক আঘাত দিছিল তাক ময়েইহে জানো। মোৰ মুখ ক'লা পৰিল; হাত ভৰি অৱশ হৈ গল। মই কি মাতিম, মনে মনে থাকিলো। মই নমতা দেখি শৰ্ম্মাই মোৰ কান্ধত ধৰি এটা ঠেলা মাৰি সুধিলে "চৌধুৰী, নমতা হলা দেখোন?" মই কলো "কিনো মাতিম! নিৰ্ম্মলা ছোৱালী ভাল। পিছে মিঃ কলিতাৰ বিয়া হল কেতিয়া?" মিঃ কলিতাই কিবা কব খোজাৰ আগতে শৰ্ম্মাই কৈ উঠিল "বিয়া হোৱা নাই, হব, সকলো ঠিক-ঠাক হৈছে।" মই আৰু সহিব নোৱাৰিলো। মোৰ গাটো যেন জম্‌জমাই উঠিল। "হাজৰিকাৰ লগত বিশেষ দৰ্কাৰ আছে মই যাওঁ"—এই বুলি তেওঁলোকক বাটতে এৰি থৈ হাজৰিকাৰ ঘৰলৈ আহিলো। হাজৰিকা তেতিয়া চ'ৰাঘৰত বহি ধপাত হুপি আছে। মই অহা দেখি তেখেত অলপ আনন্দ প্ৰকাশ কৰি কলে "তুমি আহিছা, ভালেই হল। ছোৱালী জনীৰো বিয়াৰ ঠিক কৰা হৈছে, তুমি উপস্থিত থাকিব লাগিব।"

মোক নানান প্ৰলোভন দেখুৱাৰ পিছত হাজৰিকাৰ আজিৰ এই কথাই মোৰ হিয়াৰ জুইকুৰা আকৌ বেছিকৈ জ্বলাই দিলে। হাজৰিকাৰ চকুত মই মিঃ কলিতাতকৈ নিকৃষ্ট হোৱাৰ কাৰণ কি, বুজিবলৈ টান পালো। চাকৰি? সেয়েই বোধকৰো ইয়াৰ কাৰণ। হাজৰিকাৰ কেনেবাকৈ ধাৰণা হৈছে যে মই আৰু চাকৰি নাপাম। সেই বাবেই বোধকৰো চকুৰ দোষ থকা সত্বেও মিঃ কলিতা হাজৰিকাৰ বাচনিত পৰিছে। হায়, এটা চাকৰিৰ লগত কত সুখ-সম্ভোগ বিজড়িত! মোৰ চাকৰি নহল আৰু তাৰ লগে লগে মোৰ প্ৰাণৰ নিৰ্ম্মলাকো হেৰুৱাবৰ উপক্ৰম কৰিছো। ই নেদেখা অদৃষ্টৰ ফেৰ নহয়নো কি! অদৃষ্টবাদী মই আগেয়ে নাছিলো; কিন্তু আজিৰ এই কথাই মোক অদৃষ্টবাদী কৰি তুলিলে। অদৃষ্টৰ লগত পুৰুষাকাৰ পৰাজিত হল।

হৃদয়ৰ আশা-গজালি কেইটি এটি এটিকৈ নষ্ট হৈ গল। এতিয়া একমাত্ৰ আশা আছে নিৰ্ম্মলাৰ পৰা খাটাং উত্তৰ পোৱাটো। পানীত পৰা মানুহে যেনেকৈ এডাল তৃণ এৰি আন এডালত ধৰে, ময়ো ঠিক তেনেকৈ এটা আশাৰ মূল উভালি গলে আন এটাত ধৰিবলৈ ধৰিলোঁ। নিৰাশাৰ মাজতো এটা আশা বস্তিৰ পোহৰ মই সুদূৰত দেখিবলৈ পালোঁ—নিৰ্ম্মলাই মোক পাহৰিব নোৱাৰে। তেওঁৰ এনে মৰম লগা প্ৰকৃতিৰ ভিতৰত বিষাক্ত কীট তিষ্ঠিব নোৱাৰে। হাজৰিকাই মোৰ প্ৰাণৰ ভিতৰত সুমাই চাবলৈ চেষ্টা কৰা নাই কিন্তু নিৰ্ম্মলাই মোৰ প্ৰাণৰ সকলো কথা নিশ্চয় জানে।

নিৰ্ম্মলাৰ বিচাৰ কৰিলো। কিন্তু জানিব পাৰিলো যে নিৰ্ম্মলা মোটৰেৰে ঘূৰি অহাৰ পিছৰে পৰা শুই আছে। সেই ৰাতি আৰু তেওঁৰ লগত দেখাদেখি নহল। কাইলৈ দেখা হব বুলি মনক প্ৰবোধ দিলো।

খোৱা-লোৱা শেষ কৰি ৰাতি বিছনাত পৰি থাকিলোগৈ; কিন্তু টোপনি নহল। একে একে নতুন নতুন কিছুমান ভাব আহি মোৰ অন্তৰ আগুৰি পেলালে। মই সুখৰ সপোনৰ এটি বিভীষিকা, দেখিবলৈ পালো। সঁচাকৈয়ে মোৰ সপোনৰ ইয়াতে অন্ত নেকি?

লাহে লাহে দুখৰ দীঘল ৰাতিটো পুৱাল। দোকমোকালিতে উঠি বাহিৰত অলপ ফুৰিলো। মই উভতি অহাত শ্ৰীযুত শৰ্ম্মাই এডাল বেলৰ ঠাৰিৰে আৰু মিঃ কলিতাই টুথ্‌ব্ৰাচেৰে দাঁত ঘঁহিব ধৰিছে। মই তেওঁলোকক প্ৰাতঃপ্ৰণাম জনাই ঘৰ সোমালো। অলপ পিছতে চাহ জলপান খোৱা হল। চাহ খাই উঠি শৰ্ম্মা আৰু মিঃ কলিতা সাজ-পাৰ লৈ প্ৰস্তুত। মই সোধাত তেওঁলোকে কলে যে হাজৰিকা, নিৰ্ম্মলা আৰু তেওঁলোক দুয়ো পুৱাতে মোটৰেৰে শিৱসাগৰলৈ যাব।

খবৰটোৱে মোক মৰ্ম্মাহত কৰি পেলালে। মই ৰুমৰ ভিতৰলৈ গৈ আকাশ পাতাল ভাবিবলৈ ধৰিলো। বেছি বেলি হোৱা নাই, হাজৰিকা আৰু নিৰ্ম্মলা মোটৰৰ ওচৰলৈ আহিল। "বিশেষ দৰ্কাৰ নহলে তুমি দুই চাৰি দিন আমাৰ ইয়াতে থাকা"—হাজৰিকাই মোক এই বুলি কৈ গাৰীত উঠিল। নিৰ্ম্মলাই মোক মাতিব দূৰৰ কথা মোৰ পিনে এবাৰ কেৰাহিকৈ চোৱা যেনো নাপালো। ইপিনে শৰ্ম্মা আৰু মিঃ কলিতাই মোৰ পৰা বিদায় লৈ মোটৰৰ ওচৰ পালে। শৰ্ম্মা আগৰ ছিটত বহিল আৰু মিঃ কলিতা পাছৰ ছিটত নিৰ্ম্মলাৰ গাত হেঁচা এটা মাৰি বহিল। নিৰ্ম্মলাই মিচিকিয়া হাঁহি এটা মাৰি বাওঁ হাতৰ আঙ্গুলিৰে দেউতাকৰ পিনে দেখুৱাই দিলে আৰু সোঁহাতেৰে মিঃ কলিতাৰ হাতখন টানি আনি সযত্নে এটা গোলাপ ফুল গুজি দিলে। মোৰ তন্ন তন্নকৈ চোৱা চকুত সকলো পৰিল। সেই একেই ফুল পাহি হেন কোমল হাত, সেই একেই মুখৰ মধুৰ হাঁহি; কিন্তু অন্তৰায় স্বৰ্গ-মৰ্ত্ত্যৰ সদৃশ। আজি এইবোৰৰ অধিকাৰী এক ৰকম চক্ষুহীন মিঃ কলিতা। মই নগণ্য, আচহুৱা এক নীৰৱ দৰ্শক মাথোন। হায় চাকৰি! তোমাৰ আগমনৰ আশাৰো কিমান সম্মান? মোৰ কান্দিবৰ ইচ্ছা হৈছিল, পিছে মনক কোনো মতে সংযত কৰিলো। মোটৰে ভো ভো শব্দ কৰি নিৰ্ম্মলাক মোৰ ওচৰৰ পৰা লৈ গল, চিৰকাললৈ! কি আশা-পাশত বদ্ধ হৈ এতিয়া মই হাজৰিকাৰ ঘৰত আৰু থাকিম? সেইবাবে মোটৰ যোৱাৰ পিছ মুহূৰ্ত্ততেই ময়ো তাৰপৰা ওলাই আহিলো।

যোৰহাটৰ পৰা অহাৰ পিছৰে পৰা মোৰ মনৰ উচ্চ

আকাঙ্খা সকলো ছেদেলি ভেদেলি হৈ গ'ল। নানান ৰকমে মনক শান্ত্বনা দিবলৈ চাওঁ; কিন্তু নোৱাৰো। মোৰ হৃদয়ৰ এফাল একেবাৰেই নাইকিয়া হোৱা যেন অনুভৱ কৰিলো। তথাপি ই-এ-চিৰ পৰীক্ষা সমুখত, সেইবাবে কিতাপ কাগজ পঢ়িবলৈ চেষ্টা কৰিলো। কিন্তু নাই, এইবাৰ সকলো চেষ্টা বৃথা। সময়ত নপঢ়াকৈয়ে কোনো মতে পৰীক্ষা দিলো। কিছু লিখিলো যদিও ভালেই লিখিলো নে বেয়াই লিখিলো মই তাৰ একো গম ধৰিব নোৱাৰিলো।

পৰীক্ষা শেষ কৰি ঘৰ পালোগৈ। পিতাই মোৰ শাৰীৰিক আৰু মানসিক অৱস্থা লক্ষ্য কৰি বৰ চিন্তিত হোৱা যেন পালো। মোৰ মনৰ নিৰানন্দৰ ভাব গুচাবলৈ পিতাই যত্ন কৰিছিল খুব; কিন্তু আগৰ সেই আনন্দৰ ভাব মোৰ অন্তৰলৈ নাহিল। দিনে ৰাতিয়ে মই অন্তৰত এটা দাৰুণ জ্বালা অনুভৱ কৰিব ধৰিলো। কোনোবাই চাকৰিৰ কথা উল্লেখ কৰিলেই মোৰ মনলৈ অসংখ্য ভাব আহি মোক অতিষ্ঠ কৰি তোলে। বহুতো মানুহে পিতাৰ ওচৰলৈ আহি মোৰ চাকৰি নোহোৱাত দুখ প্ৰকাশ কৰে। মই এইবিলাক সহিব নোৱাৰো।

জ্বালা যন্ত্ৰণাত মোৰ দিন যাবলৈ ধৰিলে। দিনবিলাক বৰ দীঘল আৰু ৰাতিবিলাক যেন তাতোকৈ দীঘল—গৈ শেষে নহয়। বহু দিনৰ মূৰত ই, এ, চিৰ পৰীক্ষাৰ খবৰ ওলাল। কিছুমানে নিমন্ত্ৰণ পালে; কিন্তু দুৰ্কপলীয়া মই নাপালো। মোৰ ইমান যত্ন, ইমান চেষ্টা সকলো অথলে গল। এই খবৰৰ পিছত ঘৰৰ সকলোৰে মুখ ক'লা পৰি গল। কিছুমানে মোক শান্ত্বনা দিবলৈ চেষ্টা কৰিলে; কিন্তু মোৰ আগৰে চিন্তাদগ্ধ মনে কোনো শান্ত্বনা বিচাৰি নাপালে।

এদিন পিছত। লেফাফাৰ ওপৰত 'শুভ বিবাহ' লিখা থকা এখন চিঠি আহি পালে। খুলি চালোঁ—নিৰ্ম্মলাৰ বিয়াৰ। গোটেই খন চিঠি পঢ়ি চাবৰ মোৰ সাধ্য নহল। চিঠিখন দলিয়াই পেলাই মূৰে কপালে হাত দি বিছনাত বহি আছো। এনেতে কৰবাৰ পৰা এজন মানুহ আহি পিতাক কলে—"আপোনাৰ ডাঙৰ লৰাটোৱে বোলে এইবাৰো পৰীক্ষাত ফেল কৰিলে।" মই আজি এই কথা সহিব নোৱাৰিলো। তৎক্ষণাৎ মই মোৰ ঘৰৰ পৰা ওলাই আহি মানুহজনৰ আগৰ চুলি কেইডালত থাপমাৰি ধৰি সোঁহাত খন ডাঙি কলো "মই চাকৰি নাপালো তইঁতৰ কি হল? কোন বাপেৰাই মই পৰীক্ষাত ফেল কৰা বুলি কলে।" ততালিকে পিতা আৰু দুজন মানুহ আহি মোকে আঁতৰাই লৈ গ'ল। তাৰ পিছত মই একো কব নোৱাৰো। * * * *

সন্ধ্যাৰ সময়ত এজন মানুহে মোৰ মূৰত পানী ঢালি থকা গম পাই তাক খুব ধমক দিলো, সি পানী ঢালিব এৰিলে। অলপ পিছত এজন ডাক্তৰ আহি মোক পৰীক্ষা কৰি গুচি গল।

সিদিনাৰ পৰা মোৰ ঘৰ মোৰ প্ৰতি ফাটেক শাল হৈ পৰিল। পিতাই মোৰ বাবে দুজন ৰখীয়া নিযুক্ত কৰিলে। দুখোজ বাহিৰলৈ ওলাই গলেও সিহঁত মোৰ লগে লগে যায়। মই যলৈ যাও ততে সিহঁত। উঃ, কি যন্ত্ৰণা! পিতাৰ এইবোৰ কি কাণ্ড। মইতো বলিয়া হোৱা নাই যে মোক ৰখীয়া লাগে?

ৰখীয়াৰ হাত মই কোনো মতে সাৰিব নোৱাৰিলো। অৱশেষত ই মোৰ একেবাৰেই অসহ্য হৈ উঠিল। এদিনা খন ৰাতি ৰখীয়া দুটা শুই পৰাৰ পিছত লাহেকৈ ঘৰৰ দুৱাৰখন মেলি বাহিৰলৈ ওলালো। বাহিৰত ফৰিং ফুটা জোনাক। বাটত কতো এটা মানুহো পাবলৈ নাই। মই আলি বাটেদি আহিবলৈ ধৰিলো। বাটৰ দুয়োকাষে ধাননি পথাৰ। নিৰ্ম্মল জোনাকৰ পোহৰত পকা ধানবোৰে জিলমিলাই আছে। শেষ ৰাতিৰ মৃদুমন্দ বতাহে ধানবিলাক অলপ অলপ লৰাই গৈছিল। দৃশ্য দেখি মোৰ মনত বৰ আনন্দ লাগিল।

বাটত আহি আহি থাকোঁতে ৰাতি পুৱাল। অলপ বেলি হোৱাত মই আমাৰ পামৰ ঘৰ দেখা পাই তাত সোমালোগৈ। পামত থকা চাকৰ দুজনে মোৰ অশেষ আদৰ অভ্যৰ্থনা কৰিলে। মোৰ খোৱা-লোৱাৰো সকলো যোগাৰ-পাতি সিহঁতেই কৰি দিলে। দুপৰীয়া খাই বৈ অলপ বিশ্ৰাম কৰিলো। তাৰ পিছতে আবেলি সময়ত খেতি পথাৰলৈ ওলাই গলো। চাকৰ দুজনে তেতিয়া ধান

কাটি আছিল। মই সিহঁতৰ হাতৰ পৰা কাচিখন আনি নিজেই ধান কাটিবলৈ ধৰিলো। কিন্তু অভ্যাস নাই, হাত নচলে। এমুঠিমান ধান কাটিবই পৰা নাই এনেতে এবাৰ ধান এমুঠিত ধৰি ৰেপ মাৰি দিওঁতেই মোৰ হাতৰ আঙ্গুলি এটা হাড়লৈকে কটা গল আৰু ঝৰ ঝৰকৈ তেজ বৰলৈ ধৰিলে। চাকৰ দুজন দৌৰি আহিল। এজনে আহি মোৰ আঙ্গুলিটোত টিপা মাৰি ধৰিলে; আৰু আন জনে কলা কচুৰ আঁহ এডালেৰে মোৰ কটা ঠাই খিনি বান্ধি দিলে। সিহঁতৰ আৰ-ভাব, কথা-বতৰা দেখি মোৰ সিহঁতক বৰ ভাল লাগিল। ইহঁতেই সঁচাকৈ মানুহ, ইহঁতৰ প্ৰাণ আছে, ইহঁত কপটতা শূন্য।

প্ৰায় সাঁজ লাগোঁ লাগোঁ হোৱাত চাৰিজন মানুহ লৈ পিতা পামত উপস্থিত হল। তেওঁলোকে মোক নিবলৈ আহিছে। কিন্তু মই পিতাৰ লগত নগলো। এই ঠায়েই মোৰ ভাল লাগিল। ইয়াত মানুহৰ বেছি সমাগম নাই আৰু বিশেষকৈ ইয়াত নাই চাকৰিৰ চিন্তা। ইয়ালৈ আহিহে অৱশেষত মই চিন্তাব্যাধিৰ পৰা মুক্ত হলো।

বেদ সতঃ প্ৰমাণ

(মীমাংসকৰ মতে)

[আগৰ সংখ্যাৰ পাছৰ পৰা]

—শ্ৰীযুত মনোৰঞ্জন শৰ্ম্মা স্মৃতিশাস্ত্ৰী

বাৰু, আমি কম শব্দ অনিত্যহে, কাৰণ, উচ্চাৰণ-কৰ্ত্তাৰ কৃতিৰ (যত্নৰ) পিছত শব্দৰ উপলব্ধি হয়, নিত্য বস্তু কৃতি জন্য হব নোৱাৰে। নিত্য হলে উচ্চাৰণ কৰাৰ পিছতো আমি শব্দ শুনিলো হেঁতেন, উচ্চাৰণৰ অলপ পিছতেতো আৰু শুনা নাযায়। নিত্য হলে "শব্দকৰা" এই কথাৰো অসঙ্গতি হয়; নিত্য বস্তুৰ বাৰণ (নিৰ্ম্মাণ) সম্ভৱ নহয়। একে শব্দকে এক সময়তে অনেক উচ্চাৰণ কৰিবও নোৱাৰিলো হেঁতেন; বিশেষ কাৰণ নহলে নিত্য বস্তুৰ অনেক হব নোৱাৰে। তাৰ উপৰিও শব্দৰ প্ৰকৃতি বিকৃতিভাৱ (এক বৰ্ণ, আন বৰ্ণলৈ পৰিৱৰ্ত্তিত হোৱা) দেখা যায়, যেনে, ইকাৰৰ পাছত ইতৰ স্বৰবৰ্ণ থাকিলে ইকাৰটো যকাৰ হৈ পৰে। আৰু উচ্চাৰণ কৰ্ত্তা বহুত হলে শব্দৰ বৃদ্ধি হোৱা দেখা যায়, নিত্য বস্তুৰ হ্ৰাস বৃদ্ধি নাই; শব্দ নিত্য বুলি কেনেকৈ কোৱা যায়?

এই বোৰ প্ৰশ্নৰ উত্তৰত মীমাংসাচাৰ্য্যই কয় যে, থকা বা নিত্য বস্তুৰো কৃতিৰ (যত্নৰ) পিছত উপলব্ধি হব পাৰে। শব্দ আছে, উচ্চাৰণৰ দ্বাৰা মাত্ৰ প্ৰকাশ পায় (১)। উচ্চাৰণৰ পিছত যে শব্দ জন্মে এনে কথা নহয়। থকা বস্তুৰো প্ৰকাশ নহলে উপলব্ধি নহয়; গতিকে, উচ্চাৰণ নকৰিলে শব্দ শুনা নাযায়।

শব্দ কৰা বুলিলেই যে শব্দ নিৰ্ম্মাণ কৰিব লাগে, এনে নহয়, শব্দ প্ৰয়োগ কৰিব লাগে বুলিহে বুজিব লাগে,

(১) "উচ্চাৰণ প্ৰযত্নেন ব্যজ্যতে ঽসৌ নজন্যতে"। ন্যায়প্ৰকাশ, শব্দ নিত্যতাধিকৰণ।

গতিকে "শব্দ কৰা" এই কথাৰ অসঙ্গতি নহয়। যেনেকৈ এটা বেলি (আদিত্য) কে এক সময়তে অনেকে অনেক ঠাইত দেখে, সেই দৰে এক শব্দ এক সময়ত অনেকৰ দ্বাৰা উচ্চাৰিত হব পাৰে (২)।

ইকাৰৰ ঠাইত যি যকাৰ হোৱা দেখা যায় সি প্ৰকৃতি বিকৃতি ভাব নহয়, ইকাৰটো অদৃষ্ট হয়, আৰু তাৰ ঠাইত যকাৰ দৃষ্ট হয়। গতিকে শব্দ নিত্য হলেও কোনো আপত্তি থাকিব নোৱাৰে। শব্দৰ যি বৃদ্ধি দেখা যায় সি ও বৰ্ণাত্মক (অক্ষৰময়) নিৰবয়ব শব্দৰ বৃদ্ধি নহয়। (৩) নাদৰ (ধ্বন্যাত্মক শব্দৰ) হে বৃদ্ধি হয়। গতিকে শব্দ নিত্য, ইয়াত কোনো আশঙ্কাৰ কাৰণ নাই ॥৪॥

এতিয়া সিদ্ধ হল যে বৈদিক শব্দ ৰাশি কোনো পুৰুষ বা নাৰীৰ দ্বাৰা ৰচিত নহয়, গতিকে পুৰুষ সুলভ ভ্ৰমপ্ৰমাদ বা বিপ্ৰলিপ্সাদি দোষৰ দ্বাৰা দুষিত হব নোৱাৰে। সেই বাবে তাৰপৰা উৎপন্ন জ্ঞানো ভ্ৰম বা অযথার্থ বুলি কব নোৱাৰি। এতিয়া দেখা য'ক, কোনোৱে কোনো দিন নেদেখা অলৌকিক ধৰ্ম্মত পদাৰ্থ গ্ৰহ (এই শব্দই অমুকক বুজায় এই জ্ঞান) হয় কেনেকৈ।

শব্দৰ ব্যৱহাৰত আবাপ উদ্বাপ (অদল বদল) দেখি পদাৰ্থ বোধ নোহোৱা সক লৰাই, এই শব্দই অমুকক বুজায় এইটো বুজি লয়। যেনে, এঠাইত তিন জন মানুহ বহি আছে—এজন ডেকা, এজন বুঢ়া আৰু আন জন পদাৰ্থ বোধ নোহোৱা সক লৰা। ইহঁতৰ বুঢ়াই ডেকা জনক কলে, এটা "গক আন" (গাংআনয়), ডেকাই এই কথা শুনি তৎক্ষণাৎ যে এটা প্ৰাণী লৈ আহিল। ওচৰত বহি গকা-লৰাটোৱে বুঢ়াৰ কথা শুনিলে আৰু মুহকৰ কাৰ্য্য দেখিলে। এইখিনি দেখি সি বুজিলে যে, "গক আন" (গামানয়) এই বুলি কোৱাত ডেকাই এই প্ৰাণীটিক আনিলে, গতিকে "গক আন" এই বাক্যৰ অৰ্থ, এই প্ৰাণীটোক অনা (এই ঠাই পৰোৱা)। কিন্তু তেতিয়াও "গক আন" এই বাক্যৰ দুটা শব্দৰ কোনটোৱে কোন অংশ বুজালে, তাক সি বুজা নাই। হয়তো "আন" এই অংশয়ে প্ৰাণীটিক বুজাব পাৰে আৰু "গক" এই অংশয়ো "অনা" ক বুজাব পাৰে। তাৰ পিছত বুঢ়াই আকৌ কলে, গকটো বান্ধ (গাংবধান), এটা "ঘোৱা আন" (অশ্বমানয়), মুহকে আদেশ পোৱাত লগে লগে সেই প্ৰাণীটিক বান্ধিলে আৰু আন ধৰণৰ প্ৰাণী এটা লৈ আহিল যেন। তেতিয়া সেই লৰাৰ মনে বিচাৰ কৰিব ধৰিলে, যে, "গক আন" বুলি কোৱাত মুহকে এই প্ৰাণীটি লৈ আহিল যেন; আকৌ "গক" পদ ঠিক বাৰি "আন" এই অংশৰ পৰিবৰ্ত্তে "বান্ধ" বুলি কলে আৰু মুহকে এই প্ৰাণীটোক বান্ধিলে। পুনশ্চ "আন" পদ ঠিক বাৰি "গকৰ" পৰিবৰ্ত্তে "ঘোৱা" বুলি কলত, এই জন্তুটো লৈ আহিল। ইয়াৰ পৰা বুজা গৈছে যে, "গক" এই শব্দৰ অৰ্থ এই বান্ধি ৰখা প্ৰাণীটো, "আন" মানে অনা 'বান্ধ' মানে বান্ধা আৰু "ঘোৱা" মানে এই প্ৰাণীটো (১)।

(২) "অভিব্যক্তিক নানাত্বং শব্দো নাবেবলক্ষ্যতে।
নেত্ৰ বৃত্তি বিভেদেন চন্দ্ৰত্বেমি বিকৈবিব ॥"
প্ৰকৰণ পঞ্চিকা—ভাষ্য শুদ্ধি প্ৰকৰণ।
"আবিভাব ঔগৰ পদস্য॥" মীমাংসা দৰ্শন ১।১।১০।

(৩) শব্দ দুই বিধ; বৰ্ণাত্মক, আৰু ধ্বন্যাত্মক। যি শব্দ অক্ষৰময় বাক্য আদিৰ অনক, সি বৰ্ণাত্মক। যি শব্দ অক্ষৰময় নহয় অৰ্থাৎ ঢোল তাল আদিৰ শব্দ ধ্বন্যাত্মক। বৰ্ণাত্মক শব্দ নিত্য—তাৰ হ্ৰাস বৃদ্ধি নাই।

* মীমাংসা দৰ্শনত শব্দ নিত্যদ্বাবিকৰণৰ পূৰ্ব্ব পক্ষ সত্ৰবোৰ; যেনে, "কৰ্ত্তৃকৈ তত্ৰ দৰ্শনাৎ ॥ ৩ ॥ অস্যনাৎ ॥ ৭ ॥ কৰোতি শব্দাৎ ॥ ৮ ॥ সম্ভাৱবে যৌগপদ্যাৎ ॥ ৯ ॥ প্ৰকৃতি বিকৃত্যোশ্চ ॥ ১০ ॥ বৃদ্ধিশ্চকৰ্ত্তৃ ভূম্নাত্ত" ॥ ১১ ॥ উত্তৰ পক্ষ সত্ৰ, যেনে, "সমস্তুচত্ৰদৰ্শনন্ ॥ ২২ ॥ সতঃপৰমবৰ্দ্দনং বিহাদানগমাৎ ॥ ২৩ ॥ প্ৰাগোগস্ত পদন্ ॥ ২৪ ॥ আদিত্য বৎযৌগ পদ্যন্ ॥ ২৫ ॥ বৰ্ণাত্মৰ মবিকাৰাঃ ॥ ২৬ ॥ নাদ বৃদ্ধি পৰা ॥ ২৭ ॥" সিদ্ধান্ত সত্ৰ যেনে, "নিত্যস্তত্তাদৰ্শনস্তপৰাৰ্থত্বাৎ ॥ ২৮ ॥" হেতু সত্ৰ যেন, "সৰ্ব্বত্ৰ যৌগপদ্যাৎ ॥ ২৯ ॥ সংখ্যাভাবাৎ ॥ ৩০ ॥ অনপেক্ষত্বাৎ ॥ ৩১ ॥ প্ৰথ্যাভাবাচ্চ যোগস্য ॥ ৩২ ॥ লিঙ্গ দৰ্শনাচ্চ ॥ ৩৩ ॥

(প্ৰথম অধ্যায় প্ৰথম পাদ)

এই সত্ৰবোৰৰ অনুক্ৰমে অনুক্ৰম ভাষা লেখিলে প্ৰবন্ধ বৰকৈ বাঢ়ে আৰু পাঠক পাঠিকাবো বুজিবলৈ যে বিশেষ সুবিধা হব তাক কব নোৱাৰি, গতিকে ওপৰত সত্ৰবোৰৰ ভাষা হে বিয়া হ ॥

(১) সম্বন্ধস্তাভিধেয়াংশ্চ প্ৰত্যক্ষেণাত্র পঞ্চতি।
শ্রোতুশ্চ প্রতিপত্তয়ন্যমানেন চেষ্টয়া।
অন্তর্গাম্নুপপত্ত্যাতু বোধেৎশক্তিস্বাস্কিকাং।
অর্থাপত্ত্যাবধুধ্যন্তে, সম্বন্ধাংশেপ্রমাণকম্।
—কুমাৰিলভট্ট—

শব্দ বোধৰ এনে ধৰণৰ অদল বদল ভাৱৰ দ্বাৰাই প্ৰথমতে নজনা পদাৰ্থৰ লগত লোকৰ পৰিচয় হয় (শক্তিগ্ৰহ হয়)। এই বাবে মীমাংসকে, বিধিৰ সৈতে লগ লাগিলে হে শব্দই অৰ্থ বুজাব পাৰে, গতিকে কাৰো সাহায্য নোহোৱা কৈ অৰ্থ বুজাব পৰা বিধি বাক্যৰ সকলোতকৈ বেছি প্ৰামাণ্য স্বীকাৰ কৰে। তেন্তে ব্যৱহাৰ হীন অলৌকিক ধৰ্ম্মত পদাৰ্থ গ্ৰহ হয় কেনেকৈ? ইয়াত মীমাংসাচাৰ্য্য সকলে কয় যে, বহুপদ ঘটিত বাক্যৰ এটা মাত্ৰ পদৰ অৰ্থ হুবুজিলেও বুজা শব্দবোৰৰ সাহচৰ্য্য (একবাক্যত পাঠ)ৰ দ্বাৰা পিছত বুজা যায়।

যেনে ছ'জন মানুহ ফুৰিবলৈ গৈছে, বাটত এজনে কলে 'ফুলি থকা পদুমৰ মাজত পৰি ভোঁমোৱাই মৌ খাইছে (প্ৰভিন্নকমলোদৰে মধুনি মধুকৰঃ পিবতি) বাকী জনে কেয়ো "ভোঁমোৱা" শব্দটিৰ অৰ্থ হুবুজে, বাকী সকলোটিবে বুজে। গতিকে আনবোৰ পদৰ সাহচৰ্য্যৰ দ্বাৰাই পদুমৰ মাজত মৌ খোৱা প্ৰাণীটিয়ে ভোঁমোৱা বুলি বুজি পালে। সেই দৰে বেদত আছে, বৰষুণৰ কামনা কৰিলে "কাৰীৰী" যাগ কৰিব লাগে (কাৰীৰ্য্যা যজেত বৃষ্টি কামঃ) ইয়াতে বাকী শব্দৰ অৰ্থ বুজো, কিন্তু "কাৰীৰী" যাগ জন্য অপূৰ্ব্বৰ (১) অৰ্থ হুবুজো যদিও, আন বোৰ পদৰ সাহায্যত "কাৰীৰী" যাগৰ পিছত বৰষুণ হোৱা দেখি তাৰো অৰ্থ বুজো অৰ্থাৎ শক্তিগ্ৰহ হয় (২) বেদৰ স্বতঃ প্ৰামাণ্যৰ সপক্ষেও মীমাংসকে "কাৰীৰী" যাগৰ দৃষ্টান্ত দাঙি ধৰিছে। মীমাংসাচাৰ্য্যৰ এই নিঃসঙ্কোচ মন্তব্যৰ পৰা অনুমান কৰিব পাৰি যে, ভাৰতবৰ্ষত এনে এটা সময় আছিল যি সময়ত যথাবিধি কাৰীৰী যাগ কৰিলেই বৰষুণ হৈছিল। বেদবাক্যৰ শক্তিগ্ৰহ সম্বন্ধে ভালেকৈ বুজাবলৈ হলে পুনঃ মীমাংসা দৰ্শনৰ গভীৰ বিচাৰ সমুদ্ৰত জাগ দিব লগা হয়, বিশেষতঃ সম্বন্ধ-পাঠক-পাঠিকা সকলৰ বা ধৈর্য্য কিমান দূৰ, তাকো নাজানো; গতিকে উপসংহাৰৰ ফালে যোৱাই ভাল বুলি বিবেচনা কৰিলোঁ।

অনেক দিন পূৰ্ব্বে তত্ত্বদৰ্শী আৰু বেদৰ মন্ত্ৰদ্ৰষ্টা মহৰ্ষি সকলে বেদৰ বচক কোন, কেতিয়া ৰচিত হল—এই প্ৰশ্নৰ সমাধানৰ প্ৰভূত গভীৰ আলোচনা কৰিছে। তেখেত সকলে সেই আলোচনাৰ ফলতে বেদ অনাদি আৰু অপৌৰুষেয় বা ঈশ্বৰ কৃত, এই সিদ্ধান্তত উপস্থিত হৈছে। গাৰ জোৰত যে অনাদি বুলি কৈছে এনে নহয়। বেদৰ অনাদিত্ব সিদ্ধ কৰাৰ পৰা সেই সময়ত তেওঁলোকৰ কোনো লাভ নাছিল।

আজি কালিও আমাৰ স্বদেশী বিদেশী প্ৰাচ্যতাত্ত্বিক সকলে বেদৰ ৰচনা কাল নিৰূপণ কৰিবৰ বাবে অহো-পুৰুষাৰ্থ কৰিছে, কিন্তু সকলোৱে একমত হৈ এটা সিদ্ধান্তত উপনীত হব পৰা নাই। প্ৰাচীন ভাৰতৰ হলে বেদৰ অপৌৰুষেয়ত্ব আৰু প্ৰামাণিকত্ব সম্বন্ধে, কি দাৰ্শনিক, কি পৌৰাণিক, কি ঐতিহাসিক, সকলোৱে একমত বুলি কব পাৰি। গতিকে প্ৰাচীন ভাৰতীয় সকলে বেদৰ ৰচকৰ বা ৰচনা কালৰ অনুসন্ধান কৰা নাই বুলি কলে প্ৰত্যক্ষৰ অপলাপ কৰা হয়।

হিন্দুৰ পক্ষে বিশেষ সুখৰ কথা যে, বৰ্ত্তমান কালত হিন্দু দৰ্শনে অনেক আধুনিক স্বদেশী-বিদেশী দাৰ্শনিকৰ দৃষ্টি আকৰ্ষণ কৰিছে। বহুত মনীষীয়ে হিন্দু দৰ্শনৰ মৌলিকতা আৰু শুদ্ধত্ব সম্বন্ধে আলোচনা কৰিছে, নিজ নিজ দেশীয় ভাষাত অনুবাদ কৰিছে, আৰু তাৰ ফলত Ph. D. উপাধিৰ দ্বাৰা সম্মানিত হৈছে। "হিন্দু জাতি দাৰ্শনিক জাতি" এই মন্তব্যও অনেক বিদেশী দৰ্শন আলোচকে প্ৰকাশ কৰিছে।

এতিয়া আৰু এই আড়ম্বৰ হীন শ্ৰুতি কঠোৰ বাক্যেৰে পৰিপূৰ্ণ প্ৰবন্ধৰ কলেবৰ বৃদ্ধি কৰি পাঠক-পাঠিকাবো ধৈর্য্যচ্যুতি নঘটাওঁ, বহুমূলীয়া "আহাৰনবো" ঠাই বন্ধ নকৰোঁ। কেৱল এই খিনিকে কওঁ যে, এই প্ৰবন্ধত মাত্ৰ মীমাংসকৰ পোটাচেৰেক যুক্তি হে দেখুৱা হল। আন দৰ্শনৰ আলোচনা কৰিবলৈ যিমান সুবিধা পোৱা যায়, মীমাংসাৰ আলোচনা কৰিবলৈ তেনে সুবিধা

(১) মীমাংসকৰ মতে বিধিলিঙৰ অৰ্থই অপূৰ্ব্ব।
(২) "সমভিব্যাহৃতে বৰ্ত্তে শক্তিগ্ৰহণসম্ভবাৎ।
বোধকত্ব বিৰোধাৎ মনলেক্ষতয়া স্থিতম্"॥
জৈমিনীয় ন্যায়মালা ১।১।৫ অধিকৰণ

পোৱা নাযায়। গতিকে এই প্ৰবন্ধত দোষ থাকিব নোৱাৰে, এনে কথা কব নোৱাৰোঁ। যদি কোনো যুক্তিৰ দোষ থাকে, তেন্তে সি প্ৰবন্ধ লেখকৰ হে দোষ বুলি জানিব, মহামতি মীমাংসাচাৰ্য্য সকলৰ দোষ নহয়। তেখেত সকলৰ আশয় নুবুজি ধৃষ্টতা বশতঃ তেখেত সকলৰ মন্তব্য লোকক বুজাবলৈ গৈ বুজাব নোৱাৰিলে, তাৰ বাবে দায়ী পৰোপকাৰী মহাত্মা সকল নহয়। তাৰ বাবে দায়ী আমি, আমাৰ তৰল মস্তিষ্ক, আমাৰ আলোচনাৰ অভাব, আৰু আমাৰ অহঙ্কাৰ কলুষিত মনৰ স্বেচ্ছাচাৰিতা।

"ওঁ তেজস্বিনা বধীতমস্তু মা বিদ্বিষা বহৈ ওঁ"

ডিমাপুৰৰ ভগ্নাৱশেষ কি ?

—শ্ৰীযুত কীৰ্ত্তিনাথ খাখলাৰী

কামৰূপ অনুসন্ধান সমিতিৰ সভাপতিৰ অভিভাষণত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে লিখিছে (আৱাহন ৫ম বছৰ ১০ম সংখ্যাত শ্ৰীযুত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ অনুবাদ) "তিনি কুৰি বছৰৰো আগৰপৰা ডিমাপুৰৰ ভগ্নাৱশেষৰ কথা পণ্ডিত সকলে জানি আহিছে। কিন্তু এইবোৰ কি ? খুব সম্ভৱ সেইবোৰ কচাৰী ভগ্নাৱশেষ নহয়। সেইবোৰ বৰ্ত্তমান পাহৰণিত পৰা কালৰ "লিঙ্গ-যোনি" পূজাৰ অৱশিষ্টনে ?" শ্ৰীযুত গোসাঁই দেৱে কি কাৰণত আৰু কি যুক্তিত এনে এটা ডাঙৰ কথা "কামৰূপ অনুসন্ধান সমিতিৰ" নিচিনা এখন ডাঙৰ সভাত কৈছে, সেই কথা তেখেতে উল্লেখ কৰা নাই। উল্লেখ কৰাহেতেন ভাল আছিল। "লিঙ্গ-যোনি" পূজা কোনে কৰিছিল ? মুঠেই "লিঙ্গ যোনি পূজাৰ অৱশিষ্ট" বুলিয়েই মনে মনে থাকি আমাৰ মাজত গভীৰ সন্দেহ অনাটো উচিত হোৱা নাই। পুৰণি অসম তান্ত্ৰিক দেশ আছিল আৰু লিঙ্গ-যোনি পূজা তন্ত্ৰৰ এটা অঙ্গ। তন্ত্ৰ আচলতে অনাৰ্য্যৰ পূজাৰ আহিলা আৰু লিঙ্গ-যোনিৰ পূজাও অনাৰ্য্যৰেই পূজা। বৈদিক আৰ্য্য হিন্দুৰ লগত ইয়াৰ কোনো সংশ্ৰৱ নাছিল। ঋকবেদত অসুৰ বা অনাৰ্য্য সকলক "শিশ্নদেবাঃ" বুলি কৈছে আৰু পণ্ডিত সকলে "শিশ্নদেবাঃ"ৰ অৰ্থ "লিঙ্গ-উপাসক বুলিছে। এইদৰে হলেও ডিমাপুৰৰ ভগ্নাৱশেষ লিঙ্গ-উপাসক অসুৰ বা অনাৰ্য্য কচাৰী সকলৰেই। বৰো-কচাৰীৰ "বাইথ বা বাথৌ" পূজা লিঙ্গ-যোনি পূজাৰেই প্ৰকাৰান্তৰ মাথোন।

বৰো-কচাৰী জাতিয়ে যে পুৰণি অসমত বহু হেজাৰ বছৰ ৰাজত্ব কৰিছিল এই কথাত সন্দেহ কৰিবৰ কোনো কাৰণ নাই। হেজাৰ বছৰৰ পূৰ্ব্বে অসম দেশত বৰো জাতিৰ বাহিৰে অইন কোনো জাতি নাছিল। এই কথা বুৰঞ্জী আৰু অসমৰ পুৰাতত্ত্ব আলোচনা কৰিলেই ওলাই পৰে। অসমত নেলাগে লেখত লব লগীয়া উচ্চ শ্ৰেণীৰ বৈদিক আৰ্য্য হিন্দু একাদশ শতিকাত বঙ্গদেশতো নাছিল। বঙ্গদেশৰ আদিশূৰেও ভট্টনাৰায়ণ আদি বৈদিক আৰ্য্য হিন্দু কনৌজৰ পৰাহে আনিব লগীয়া হৈছিল।

অসমৰ কৃষ্টি, ৰীতি-নীতি, সাজ-পাৰ অইন হোৱাত অসমৰ এটা সুকীয়া সভ্যতাৰ প্ৰকাশ হয়। ইয়েই অসমৰ বৰো-সভ্যতা আৰু বৰ্ত্তমানৰ বৰো ভাষাই অসমৰ আদি

প্ৰাকৃত ভাষা। ভাৰতৰ বিভিন্ন প্ৰদেশৰ দৰে এই অসমতো ভাষা সংস্কৃত হোৱাৰ পূৰ্ব্বে প্ৰাকৃত ভাষা চলিছিল। এই কথা অসমৰ পুৰাতত্ত্ববিদসকলে পাহৰি যোৱা অনুচিত। দ্বাদশ শতিকাত আহোমসকল আৰু ত্ৰয়োদশ শতিকাত ভূঞাসকল বঙ্গদেশৰপৰা আহি নিজ নিজ ভাষা, ৰীতি-নীতি, কৃষ্টি সকলো দলিয়াই অসমীয়া সভ্যতাৰ তলতীয়া হবলগীয়া হৈছিল। সাত শ বছৰৰ পূৰ্ব্বৰ শক্তিশালী অসমীয়াই আজিৰ দৰে অসম সংৰক্ষিণী সভা নেপাতিও এই দুই প্ৰবল প্ৰতাপী বিদেশী জাতিক সম্পূৰ্ণ অসমীয়া কৰি লৈছিল।

বৰো-কচাৰীৰ নিচিনা এটা প্ৰবল প্ৰতাপী জাতিয়ে যে ডিমাপুৰৰ নিচিনা এখন নগৰ আৰু প্ৰাসাদ বা দুৰ্গ সাজি লব নোৱাৰিছিল এইটো বিশ্বাসযোগ্য কথা নহয়। পৃথিবীৰ অইন দেশৰ পতিত প্ৰতাপী জাতিৰ দৰে বৰো-কচাৰী জাতিয়েও আজিৰ অৱস্থা পাইছেহি। শ্ৰীযুত গোসাইদেৱে ভাৰতৰ আজিৰ অৱস্থা চাই কবলৈ সাহস কৰিব জানো ৪০০০ হেজাৰ বছৰৰ পূৰ্ব্বে এই ভাৰততে কুৰুক্ষেত্ৰৰ নিচিনা এখন ডাঙৰ যুদ্ধ হোৱা নাছিল আৰু য'ত শ্ৰীকৃষ্ণৰ বুদ্ধিমত্তা, অৰ্জ্জুনৰ বিক্ৰম আৰু আকাশী ৰথ ইত্যাদিৰো উদ্ভৱ নহৈছিল বুলি ?

আমি কওঁ ডিমাপুৰ পুৰণি কালত কোনো এজাতি মানুহৰ বসতিস্থান আছিল। যি জাতিয়ে ডিমাপুৰৰ নিচিনা এখন নগৰ গঢ়িব পাৰিছিল, যাৰ ভগ্নাৱশেষে আজি চাৰি হেজাৰ বছৰৰ পাছতো সেই কথাৰ সাক্ষী দিছে। সেই সময়ত যদি বৰো-কচাৰীৰ বাহিৰে অসমত অইন জাতি নাছিল তেন্তে ডিমাপুৰৰ ভগ্নাৱশেষ "কচাৰীৰ ভগ্নাৱশেষ" নহৈ কি হব ? ডিমাপুৰৰ ভগ্নাৱশেষ কচাৰীৰ নহয় বুলিলে শ্ৰীযুত গোসাইদেৱে আগেয়ে প্ৰকাশ কৰি লব লাগিব, অসমত হেজাৰ বছৰৰ পূৰ্ব্বেও আৰ্য্যজাতিৰ বসতি আছিল।

অসমত খাদি শিল্পৰ প্ৰচাৰ

—শ্ৰীযুত সোণাৰাম দত্ত বি-এ

১৯৩৪ চনৰ এপ্ৰিল মাহত দীন-দৰিদ্ৰৰ বন্ধু মহাত্মা গান্ধীয়ে নতুন বছৰৰ লগে লগে বৰদৈচিলাৰ দৰে আহি অসমত প্ৰেমৰ শুভ্ৰ জ্যোতি সিচি থৈ যোৱাৰ কথা কোনে পাহৰিব পাৰে ? আন্ধাৰ নিশাৰ মেঘাচ্ছন্ন আকাশত বিজুলী-ৰেখাৰ দৰে জিলিকি থকা সেইদিনৰ পৱিত্ৰ স্মৃতি-ৰাজিৰপৰা এটি ক্ষন্তেকীয়া দৃশ্য ইয়াত দাঙি ধৰোঁ।

স্থান—শিৱসাগৰ, শ্ৰীযুত তাৰাপ্ৰসাদ চলিহাৰ বাসভৱন। সময়—পুৱাৰ ৰাঙলী ৰ'দৰ জিলিঙনি গছ-লতাৰ মাজেদি বিৰিঙি পৰিছে। এটা অভিনৱ সূতা-কটা যন্ত্ৰৰ দাঁতিত থিয় হৈ আছে মহাত্মা গান্ধী ; কাষতে শ্ৰীমতী মীৰা বেন। যন্ত্ৰটিৰ ডেকা খনিকৰে সিদাঁতিত থিয় দি সূতা কাটি দেখুৱাইছে। একে ধ্যানে কিছুপৰ নিৰীক্ষণ কৰি গান্ধীজীয়ে কৈছে,—"মীৰা, তোমাক ইয়াত এৰি থৈ মই ডিব্ৰুগড়লৈ যাম যেতিয়া তুমি এই যঁতৰটি পৰিপাটিকৈ চাবলৈ সময় পাবা। তোমাৰ ওপৰতে সেই ভাৰ দি গলোঁ।" আৰু ডেকা খনিকৰলৈ শলাগৰ চকুৰে চাই কৈছে "বিমলাপ্ৰসাদ, খাদি আৰু যঁতৰৰ সম্বন্ধে মীৰা বেনে মোতকৈও বেছি জানে। তেওঁ চাই-চিতি তোমাৰ 'চৰকা'ৰ

গুণাগুণৰ বিষয়ে মোক সময়মতে জানিবলৈ দিব।" কথা শেষ হল। মহাত্মা গান্ধী ডিব্ৰুগড়ৰ অভিমুখে যাত্ৰা কৰিলে।



শ্ৰীমান বিমলাপ্ৰসাদ চলিহা, খাদি শিক্ষাশ্ৰমৰ প্ৰাণ স্বৰূপ আৰু অধ্যক্ষ।

শ্ৰীমতী মীৰা বেনে শিৱসাগৰত ৩ দিন কটায় আৰু বিমলাপ্ৰসাদৰ নিখিল ভাৰত চৰকা সঙ্ঘৰ এক লাখ টকাৰ বঁটা প্ৰতিযোগিতাৰ নিমিত্তে নিৰ্ম্মাণ কৰা যতঁৰটি সূক্ষ্মভাৱে, পুঙ্খানুপুঙ্খে পৰীক্ষা কৰে। এতিয়ালৈকে যিমান বোৰ 'চৰকা' ওলাইছে, সেইবোৰৰ ভিতৰত বিমল প্ৰসাদৰ যন্ত্ৰটিয়ে যে ওখ ঠাই পাব তাত সন্দেহ নাই। এয়ে মীৰাৰ মত। যতঁৰটিৰ বিশেষ গুণ এয়ে যে—ইয়াত ৬ টা সূতা-লাহী একেলগে ঘূৰে, গতিকে সাধাৰণ যতঁৰতকৈ বহুগুণে অধিক সূতা কাটিব পাৰি। ইয়াক ভৰিৰে চলাব পাৰি আৰু ভালেখিনি outomatic action (স্বতন্ত্ৰতা) এই যন্ত্ৰটিত খটুৱা হৈছে। ইপিনে সৰ্ব্বসাধাৰণৰ ব্যৱহাৰৰ নিমিত্তে ইয়াক ১০৲ টকাৰ ভিতৰতে তৈয়াৰ কৰিব পৰা যায়। মীৰা বেনে যতঁৰটিৰ দুই-চাৰিটি খুঁতো উলিয়াইছিল; ঘাইকৈ, শলাবোৰৰ কঁপনিৰ বিষয়ে (vibration)।

মীৰা বেনে বিমলাপ্ৰসাদৰ বিচক্ষণ বুদ্ধি আৰু কৌশল দেখি নথৈ সন্তোষ পায়; তাতোকৈ সন্তোষ পায় বিমলাপ্ৰসাদৰ সৰলতা, একনিষ্ঠতা আৰু খাদিৰ প্ৰতি অনুৰাগ দেখি। সৰলতাই সৰলতাক, আন্তৰিকতাই আন্তৰিকতাক, ত্যাগে ত্যাগক সহজে চিনি পায়, পৰস্পৰে আকৰ্ষে। মহাত্মাৰ চৰকা-মন্ত্ৰই যদিও বা আগেয়েই বিমলাপ্ৰসাদৰ অন্তৰ প্ৰৱেশ কৰিছিল, মীৰাই সেই মন্ত্ৰ আৰু দ'কৈ সুমুৱাই থৈ গ'ল।

এইটো কথা বোধকৰোঁ বহুতে নাজানে যে সিদিনাৰ ইংৰাজ মহিলা মিছ শ্লেড, বৰ্ত্তমান মহাত্মাৰ শিষ্যা মীৰা বেনক খাদি বিজ্ঞানত চেৰ পেলাওঁতা খুব কমেই হে ওলাব। শিৱসাগৰত থকা কেদিনত বিমলাপ্ৰসাদক এই সম্পৰ্কে তেওঁ অশেষ সৎপৰামৰ্শ আৰু উদগণি দিয়ে। কৈ যায় মীৰাই "তোমাৰ কৌশল-জাত 'চৰকাটি' প্ৰশংসনীয় হৈছে; তথাপি কিছু কাললৈ তাত মনোনিবেশ নকৰি খাদৰ প্ৰস্তুত কৰা সৰল, বৈজ্ঞানিক প্ৰণালীবোৰ পৰিপাটিকৈ শিকি উঠা। সিবিলাকৰ বহুল প্ৰচাৰৰ যোগে অসমত খাদি প্ৰতিষ্ঠান গঢ়ি তুলি দুখীয়া নিৰন্ন ভাই ভনীহঁতৰ ভাত কাপোৰৰ দিহা কৰিবলৈ ব্ৰতী হোৱা। তেতিয়া তোমাৰ খাদি বিষয়ে যি শুদ্ধ জ্ঞান হব, তাৰ পোহৰত তোমাৰ 'চৰকাৰ' খুঁতবিলাক শুধৰাই লবলৈ বেছি সুবিধা পাবা।"

মীৰা বেনে মহাত্মাজীক বিমলাপ্ৰসাদৰ বিষয়ে সকলো কথা জনালেগৈ আৰু দুয়ো পৰামৰ্শ কৰি ইয়াকেই স্থিৰ



ধনু আৰু যতঁৰৰ সৈতে এদল শিক্ষাৰ্থী। এদাঁতিত অধ্যক্ষ থিয় হৈ আছে।

কৰিলে যে প্ৰথমে তেওঁ এটা খাদি কেন্দ্ৰত খাদি শিক্ষা লব লাগে। যথা সময়ত ডাক পৰিল আৰু বিমলাপ্ৰসাদ বিহাৰৰ মতিহাৰী খাদি শিক্ষাশ্ৰমত উপস্থিত হলগৈ।

১৯৩৪ চনৰ জানুৱাৰী মাহত ভূমিকম্পই বিহাৰত তাণ্ডৱ নাচোনে নাচি যি প্ৰলয়ৰ সৃষ্টি কৰিছিল তাৰ কথা কোনে নাজানে? সূতা-কটাৰ মহামন্ত্ৰৰে প্ৰলয়-জনিত দুখ-দুৰ্ভিক্ষ নিবাৰণ কৰিবলৈ বাবু ৰাজেন্দ্ৰ প্ৰসাদৰ ছেণ্ট্ৰেল ৰিলীফ কমিটিয়ে বিহাৰৰ নানা ঠাইত খাদি কেন্দ্ৰ খুলি সেৱকসকলক খাদি শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। মতিহাৰীতো তেনে এটি কেন্দ্ৰ আছিল। তাৰ বিশেষত্ব এয়ে যে তাৰ শিক্ষা-গুৰু আছিল শ্ৰীযুত মথুৰাদাস পুৰুষোত্তম। খাদি বিজ্ঞানত এখেত ভাৰতবৰ্ষৰ ভিতৰত অদ্বিতীয় ওজা। সেই কাৰণেই তেখেতৰ ওচৰত শিক্ষা লভিবলৈ বিমলাপ্ৰসাদক মতিহাৰীলৈ পঠিওৱা হয়।

মতিহাৰীৰ এচুকত সেই জৰাজীৰ্ণ পঁজা। শুনা যায় কেৱল কপাহ ধুনা ধনুৰ শব্দ আৰু যতঁৰৰ গুণ গুণনি। তাত দাৰিদ্ৰ্যৰ আৱৰণ অথচ কি প্ৰফুল্লতা! কি বিতোপন ভাবে আশ্ৰমৰ সকলো কাম নিয়ন্ত্ৰিত হৈছে! ভোগ-বিলাসলৈ পিঠি দি আশ্ৰমবাসীসকলে বিপন্নৰ সেৱা কৰিবলৈ কিমান আগ্ৰহেৰে খাদি বিদ্যা শিকিছে! ইয়াতেই আমাৰ বিমলাপ্ৰসাদে কঠোৰ আশ্ৰম-জীৱন পালন কৰি খাদি শিল্পৰ সকলো কলাত শিক্ষালাভ কৰাৰ পিছত ভাৰতৰ নানা ঠাইত ভ্ৰমণ কৰি অসমলৈ প্ৰত্যাগমন কৰে।



খাদি শিল্পৰ সজুলি; কিছুমান যতঁৰ আৰু ধনু।

বিমলাপ্ৰসাদ অসমলৈ উলটি আহিল। লগত কোনো উপাধি অনা নাই, নাম জলায়ো অহা নাই; কিন্তু আহিছে বজ্ৰ-কঠোৰ সঙ্কল্প লৈ, আহিছে এক অপূৰ্ব্ব ঐশ্বৰ্য্য লৈ—মহাত্মা গান্ধীৰ মন্ত্ৰপূত যতঁৰৰ পাকে পাকে মাতৃভূমিৰ জড়তা, দৰিদ্ৰতা, হিংসা, দ্বেষ আদি বৈৰীবিলাক জয় কৰিবলৈ। মতিহাৰী আশ্ৰমত মাহে ৫৲ টকা মাথোন



হাতত ধনু লৈ এদল আশ্ৰমবাসী।

খৰচ কৰি যি পৱিত্ৰ জ্ঞান লৈ বিমলাপ্ৰসাদ গৃহাভিমুখ হ'ল, তাৰ মূল্য নিৰূপণ কৰা কঠিন।

অসমত পোন প্ৰথম খাদি শিক্ষাৰ থল শিৱসাগৰ বিদ্যাপীঠ। আমাৰ কিমান গৌৰৱৰ বিষয় যে বিমলাপ্ৰসাদে জয়জয়তে শিৱসাগৰ বিদ্যাপীঠতে খাদি শিক্ষাশ্ৰম স্থাপন কৰিলেহি। যিদিনা বিমলাপ্ৰসাদে অট্টালিকা এৰি বিদ্যাপীঠৰ জীৰ্ণ পঁজাত বাস কৰিবলৈ আহিল, সেইদিনৰ পৰা এই জাতীয় অনুষ্ঠানটিৰ জীৱনৰ ক্ষীণ সূতি প্ৰৱল আৰু পৱিত্ৰ হবলৈ ধৰিলে। আন্ধাৰ ওৰণি দাঙি উষা-দেৱীয়ে পৃথিবীলৈ ভুমুকি মৰাৰ লগে লগে, চৰাই চিৰিকতিয়ে প্ৰাণৰ আনন্দত সৃষ্টিকৰ্ত্তাৰ গুণ গৰিমাৰ গীতি গোৱাৰ পূৰ্ব্বেই বিদ্যাপীঠৰ আশ্ৰমবাসীসকলৰো স্তুতি-গীতিয়ে অৰুণ দেৱতাৰ মুখত হাঁহি বিৰিঙায়। ডাল-দৰিদ্ৰ, ভগা-ছিগা পঁজা; কিন্তু তাত কি উলাহ, কি শান্তি! তাত এলাহ নাই, বিলাসিতা নাই, সৰু-বৰ, জাতি-অজাতি, চহকী-দুখীয়া, আপোন-পৰ, ভেদাভেদ ভাব নাই।

শিৱসাগৰ বিদ্যাপীঠত খাদি শিক্ষাশ্ৰম স্থাপন কৰা আজি চাৰি মাহো হোৱা নাই। কিন্তু এই কিমাহৰ ভিতৰত যি দেখিলোঁ, নিজে থাকি যি অনুভৱ কৰিছোঁ তাৰ পৰা মোৰ বিশ্বাস হৈছে, আৰু সেই বিশ্বাস দিনক

দিনে গাঢ়তৰ হৈ আহিছে, যে প্ৰকৃত শিক্ষাৰ থল আশ্ৰমহে। পাশ্চাত্য শিক্ষা আৰু সভ্যতাৰ জাক-জমকত ভোল গৈ আমি আমাৰ কৌটিকলীয়া, ঋষি-মুনিসকলৰ শিক্ষানুষ্ঠান বিলাকৰ প্ৰতি অৱহেলা কৰি দেশৰ কি যে অকল্যাণ সাধিছোঁ, তাক আশ্ৰম জীৱনৰ সুৱদি পান কৰা জনেহে উপলব্ধি কৰিব পাৰিছে। এই বিষয়ে বহলাই নকৈ মুঠতে ইয়াকে কওঁ যে ব্ৰহ্মচৰ্য্যপালন, নিৰ্ম্মল আৰু সুস্থ জীৱনযাপন ছাত্ৰাৱস্থাৰ মজ্জাস্বৰূপ ; কাম, ক্ৰোধ, লোভ, মোহ আদি ৰিপুবিলাক দমন কৰি আত্ম-সংযম লাভ কৰাটো শিক্ষাৰ এটা ঘাই অঙ্গ ; সমাজ সেৱা, দেশ সেৱা



আশ্ৰমবাসী সকলে যতৰত সূতা কাটিছে।

আদি ওখ আদৰ্শৰ অনুপ্ৰেৰণা, পাৰ্থিৱ সুখ-দুখক জয় কৰি আৰু ক্ষুদ্ৰ স্বাৰ্থক বলি দি জীৱনৰ পৱিত্ৰ লক্ষ্যৰ প্ৰতি আগুৱাবলৈ চৰিত্ৰবল, একনিষ্ঠতা আদি আৰ্জ্জিবলৈ আশ্ৰমেই একমাত্ৰ থল।

আশ্ৰম জীৱন খাদি শিক্ষাৰ এটা প্ৰধান অঙ্গ। "আমাৰ দেশৰ কোটি কোটি নিৰন্ন, নিৰস্ত্ৰ নৰ-নাৰীৰ মৃত-সঞ্জীৱনী চৰকা" লৈ যিজন সেৱকে গাঁৱৰ মাজত প্ৰচাৰ কৰিবলৈ সোমাবগৈ, তেওঁ অশেষ কষ্টসহিষ্ণু হব লাগিব, অতি সৰলভাৱে ফুৰি-চাকি গাঁৱলীয়া প্ৰজাৰ অন্তৰত প্ৰৱেশ কৰি তেওঁলোকৰ মনত বিশ্বাস জন্মাব লাগিব, তেওঁৰ দৈনন্দিন জীৱন যাপনৰ মাজেদি পৰিষ্কাৰ পৰিচ্ছন্নতাৰ চানেকি দাঙি ধৰিব লাগিব। মুঠতে শুদ্ধমতি আৰু চৰিত্ৰবল নাথাকিলে লক্ষ্যভ্ৰষ্ট নোহোৱাকৈ গাঁৱৰ মাজত তিষ্ঠি থকা সেৱকৰ পক্ষে বৰ কঠিন। আশ্ৰমৰ কঠোৰ নিয়মত নিজৰ জীৱন নিয়ন্ত্ৰিত কৰি ল'ব পাৰিলে লক্ষ্যৰ পৰা পিচলি পৰাৰ আশঙ্কা বহুতো কমি যায়।

বিদ্যাপীঠৰ খাদি আশ্ৰমলৈ এবাৰ ভুমুকি মৰা য'ক। পুৱতী নিশা ; পূবফালে অৰুণ-ৰেখা এতিয়াও অস্ফুট ; হয়তো ৰূপ কুঁৱৰীয়ে অৰুণ, অৰুণ ভনীটীহঁতক লগত লৈ আকাশৰপৰা নিতাল নিস্তব্ধ ধৰাত এতিয়াও ৰূপালি ৰহণ ঢালি আছে। জাগ্ৰত আশ্ৰমবাসীসকলে তৰাৰে জালীকটা চন্দ্ৰাতপৰ তলত বহি সমস্বৰে গায়—

প্ৰাতঃ স্মৰামি হৃদি সংস্ফুৰদাত্মতত্ত্বম্
সচ্চিৎসুখং পৰমহংসগতিং তুৰীয়ম্।
যৎ স্বপ্নজাগৰ সুষুপ্তমবৈতি নিত্যম্
তদ্ ব্ৰহ্ম নিষ্কলমহং ন চ ভূত সঙ্ঘঃ॥ ইত্যাদি

উপাসনা শেষ হল। ব্যৱস্থাপকে দিহা দিয়ামতে প্ৰত্যেক আশ্ৰমবাসীয়ে নিজ নিজ কৰ্ত্তব্যলৈ ওলাই গৈছে। এদলে হয়তো হাতে হাতে বাঢ়নি লৈ ঘৰ চোতাল পৰিষ্কাৰ কৰিছে ; কোনোবাই হয়তো পাইখানাকে চাফা কৰিছেগৈ, কোনোৱে আকৌ পানী আনিছে ; কোনোৱে হয়তো ভাতকে ৰান্ধিছে। এইদৰে ভাগে ভাগে সকলোটি কামত ব্যস্ত। কামৰ সৰু বৰ নাই, গুৰু-শিষ্য সকলোৱে সমানে প্ৰফুল্লচিত্তে কৰ্ত্তব্য পালন কৰি গৈছে। ৭ বজাত গা ধোৱাৰ ঘণ্টা পৰিল। ৮ বজাত আশ্ৰমবাসীয়ে খাই বই কাঁহী-বাটি, কেৰাহী আদি মাজি পৰিষ্কাৰ কৰি ৯ বজাত খাদি শ্ৰেণীত উপস্থিত হয়গৈ।

শিক্ষা প্ৰণালীৰ সবিশেষ বিৱৰণ দিবলৈ মই অপাৰগ। লিখকে শ্ৰীমান বিমলাপ্ৰসাদৰ ওচৰত এই অত্যাৱশ্যকীয় শিক্ষা লাভ কৰাৰ আশা ভালেমান দিনৰেপৰা পোষণ কৰিছিল ; কিন্তু অনুষ্ঠান এটিৰ পৰিচালনাৰ ভাৰ থকাৰ গতিকে সেই শিক্ষাত আত্মনিয়োগ কৰিবলৈ অৱসৰ এতিয়াও উলিয়াব পৰা নাই। খাদি শিক্ষা প্ৰণালীৰ সম্বন্ধে ইমানকে মাথো কওঁ যে প্ৰাৰম্ভতে শিক্ষাৰ্থীয়ে ধনু চলাবলৈ হাত অহাব লাগে। কপাহ ধুনাই সবাতকৈ টান ; কিন্তু লাগতিয়াল বিদ্যা। অসমত সৰ্ব্বসাধাৰণৰ মাজত প্ৰচলিত ধুনা-প্ৰণালী দেখি শ্ৰীমতী মীৰা বেনে কৈছিল, "মানুহবিলাকে কপাহ শিল্পৰ শুদ্ধ প্ৰণালী নাজানে,

আগেয়ে জানিছিল যদিও এতিয়া লুপ্ত হ'ল।" ভাল আৰু বেছি সূতা কটা কপাহ ধুনাৰ ওপৰতে বেছিকৈ নিৰ্ভৰ কৰে। ধনু চলোৱাত হাত আহিবলৈ কেইবা দিনো লাগে। তাৰ পাছত পাঁজি কৰা। দিনৰ আগ ভাগত অৰ্থাৎ ৯ বজাৰপৰা ১ বজালৈকে, ধুনা, পাঁজি কৰা ইত্যাদি। জিৰণিৰ পিছত যঁতৰ বা টাকুৰীত সূতা কটা, ধনু, যঁতৰ আদি নিৰ্ম্মাণ কৰিবলৈকো শিকোৱা হয়। যঁতৰৰ শলা পোনোৱা আৰু নানা সূক্ষ্ম বিষয়ত শিক্ষা দিয়া হয়। মুঠতে এই শিল্পৰ প্ৰত্যেক ভাগকে বৈজ্ঞানিক প্ৰণালীত গঢ়ি লোৱা হৈছে। তাৰ উপৰিও আলোচনা আৰু সচিত্ৰ বক্তৃতাৰ যোগে খাদি সম্পৰ্কীয় গণিত আৰু অৰ্থনীতিৰ যথেষ্ট জ্ঞান শিক্ষাৰ্থীক দিয়া হয়। উদ্যোগী ছাত্ৰই ডেৰ মাহৰ ভিতৰত এই শিক্ষা সমাপন কৰিব পাৰে। শেহত ছাত্ৰসকলৰ পৰীক্ষা লোৱা হয়। পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলে একোখনি যোগ্যতা পত্ৰ পায়।

খাদি শিল্পৰ শুদ্ধ, বৈজ্ঞানিক শিক্ষা প্ৰণালীৰ বহুল প্ৰচাৰৰ ওপৰতে খাদি ব্যৱসায়ৰ উন্নতি বেছিকৈ নিৰ্ভৰ কৰে। এই শিক্ষা লাভ কৰি শিপিনীয়ে ঘণ্টাত ৪০০ গজ সূতা অনায়াসে কাটিব পাৰে। বিদ্যাপীঠৰ কেইবাজনো ছাত্ৰই শিক্ষাৰম্ভৰ এমাহৰ ভিতৰতে ৪০০ গজকৈ কাটিছে। শ্ৰীমান যজ্ঞেশ্বৰ গগৈ নামে ছাত্ৰ এজনে ঘণ্টাত ৫৩৫ গজলৈকে কাটিছে। গোটেই ভাৰতবৰ্ষৰ ৰেকৰ্ড হৈছে ৮০০ গজ।

আবেলি ৫ বজাত শিক্ষাৰ কোঠালি বন্ধ কৰি আকৌ এবাৰ আশ্ৰমত ভুমুকি মৰা যাওক। ৬ বজাত দ্বিতীয় আৰু শেষ ভোজন কৰি আশ্ৰমবাসীসকলে ইচ্ছানুযায়ী খেলিবলৈ বা ফুৰিবলৈ ওলাই যায়। ৮ বজাত সান্ধ্য উপাসনা আৰু ভজন। গীতাৰ এক অধ্যায় সকলোৱে সমকণ্ঠে আবৃত্তি কৰে। তাৰ পিছত বৰগীত আৰু হিন্দীভজন গোৱা হয়। ৯ বজাত শেষ ঘণ্টা পৰে ; চাকি নুমাই যায় আৰু নিদ্ৰাদেৱীৰ কোলাত আশ্ৰমবাসীয়ে আত্ম-সমৰ্পণ কৰে।

এতিয়ালৈকে ক্ৰমান্বয়ে তিনি দল ছাত্ৰই খাদি শিক্ষা লাভ কৰিছে। তাৰ অধিকাংশই শিৱসাগৰ বিদ্যাপীঠৰ আশ্ৰমবাসী ছাত্ৰ। ইয়াৰ ভিতৰত গোলাঘাটৰ সেৱক ২ জন, কামৰূপৰ ৩ জন আৰু নগাঁৱৰ এজন। বকতাৰ কংগ্ৰেছ কৰ্ম্মী শ্ৰীযুত তৰুণচন্দ্ৰ বৰুৱা খাদি আশ্ৰমত থাকি সুখ্যাতিৰে শিক্ষা সমাপন কৰি বকতাত এখনি খাদি আশ্ৰম পাতিছেগৈ। তেনেকৈ নগাঁৱৰ কংগ্ৰেছ কৰ্ম্মী শ্ৰীযুত পদ্মকান্ত গোস্বামীয়ে চাৰিঙত খাদি আশ্ৰম খুলিছেগৈ। কামৰূপ আৰু গোলাঘাটলৈকো ইয়াত শিক্ষা সমাপ্ত কৰি সেই উদ্দেশ্যে শিল্পী পঠিওৱা হৈছে।



গুৰু শিষ্যৰ এটি দল।

এইদৰে অসমৰ চাৰিও পিনে খাদি শিক্ষাশ্ৰম স্থাপন কৰি নিপুণ শিল্পী গঢ়ি তুলিলে 'চৰকা'ই যথাৰ্থতে আমাৰ ডাল-দৰিদ্ৰ ভাই-ভনীহঁতৰ পৰিত্ৰাণ আনিব পাৰিব। ১৯২১ চনৰেপৰা একাধিকবাৰ অসমত খাদি শিল্প প্ৰচলনৰ চেষ্টা হৈছে, কিন্তু সেই চেষ্টা ফলৱতী হব পৰা নাই। ইয়াৰ কাৰণ একনিষ্ঠতাৰ অভাৱ নহলেও শিল্পজ্ঞানৰ প্ৰচাৰ আৰু সংগঠনৰ অভাৱ বুলিবই লাগিব। সাময়িক উত্তেজনাত খাদি অনুষ্ঠান পতা হয় ; কিন্তু বালিৰ ওপৰত ঘৰ সজাৰ দৰে উত্তেজনা চেঁচা পৰি যোৱাৰ লগে লগে সি নষ্ট হৈ যায়।

বঙ্গদেশত শ্ৰীযুত সতীশচন্দ্ৰ দাসগুপ্তই আশাশুধীয়াকৈ আৰু মূৰ পুতি লাগি খাদি এটা প্ৰকাণ্ড ব্যৱসায় কৰি তুলিলে, "খাদি প্ৰতিষ্ঠান"ৰ ভেটি কট্‌কটীয়া কৰি পেলালে। খাদি শিল্পৰ যোগে হেজাৰ হেজাৰ নিৰন্নৰ অন্নৰ সংস্থান কৰি দিছে, নিবনুৱাক বন দি জীৱিকা নিৰ্ব্বাহৰ এটা উপায়



ই এখন ১৮শ শতিকাৰ বুৱমৰা যন্ত্ৰৰ ছবি। ইয়াত সাগৰত ডুবি থোৱা এখন যুদ্ধ জাহাজখনি উলিয়া কেৰুৱা হৈছে।

নামৰ এবিধ বৈজ্ঞানিক যন্ত্ৰ তৈয়াৰ কৰা হৈছে। ইয়াৰ নিৰ্ম্মাণকাৰী ডক্তৰ ৰিলিয়াম ৰীব। এই যন্ত্ৰৰ সহায়ত সাগৰৰ পানীত ৩,০০০ ফুটৰো অধিক তললৈ বুৰিবাৰ পাৰি।



বৰ্ত্তমান যুগৰ অতি উন্নত ধৰণৰ বুৰিটৰা যন্ত্ৰ বেথিস্ফিয়াৰ।

পানী আৰু বাম উভয়তে চলা মটৰ গাৰী



পানী মাটিত চলা মটৰ গাৰী।

হাৰ জেকৰ বডিগ নামেৰে এজন ডেকা জার্ম্মেন আবিষ্কাৰকে পানী আৰু বাম উভয়তে চলা এখন মটৰ গাৰী উলিয়াইছে। তেৱেঁই পোন-প্ৰথমে এই গাৰীৰে ইংলিছ প্ৰণালী পাৰ হয়। তেওঁ নিজৰ কৰ্ত্তলেজৰপৰা ফ্ৰান্সৰ কেলে বন্দৰলৈকে বাৰেমেদি এই মটৰখন চলাই শেষত পানীৰ ওপৰেদি ইংলিছ প্ৰণালী পাৰহৈ ডভাৰ পায়গৈ।

ছদ্মবেশী

—দ্বিতীয় খণ্ড—

প্ৰথম অধ্যা

উপন্যাস— —শ্ৰীযুত শান্তিৰাম দাস, বি-টি

প্ৰবাস

দিনৰ পিছত দিন পাৰ হ'ল। মাহৰ পিছত মাহ পাৰ হল। বছৰৰ পিছত বছৰ পাৰ হ'ল। সংসাৰৰ নানা পৰিবৰ্ত্তন ঘটিল।

এতিয়া লেডী ইছাবেলা কাৰ্লাইল তিন জন লৰা ছোৱালীৰ মাক। মিছ ইছাবেল কাৰ্লাইল পাঁচ বছৰীয়া, দ্বিতীয় জন মাষ্টাৰ উইলিয়াম আৰু সৰুটি মাষ্টাৰ আৰ্কি এবছৰীয়া। ইছাবেলৰ শেহৰ বাৰ প্ৰসৱৰ লগে লগে ৰৰ অসুখ হৈছিল। এতিয়া আৰোগ্য হলেও সেই অসুখে তেওঁৰ স্বাস্থ্য একেবাৰে শোচনীয় কৰিছিল। ৰৰ দুৰ্ব্বল। ডাঃ ওৱেন আৰু ডাঃ মাটিনে পৰামৰ্শ দিলে—কিছুদিনৰ নিমিত্তে ইছাবেলক সাগৰৰ পাৰৰ কোনো স্বাস্থ্যকৰ ঠাইত জল বায়ু পৰিবৰ্ত্তন কৰাৰ উদ্দেশ্যে বাহিৰ লাগে। সৰল চিতীয়া কাৰ্লাইল তেওঁলোকৰ কথাত মাস্তি হ'ল! তেওঁ ইছাবেলৰ আগত সেই প্ৰস্তাৱৰ কথা জনোৱাত তেওঁ প্ৰথমে অমাস্তি হ'ল, কিন্তু তেওঁৰ পুৰণি বন্ধু ৰাজবাৰেৰেও সেই একে পৰামৰ্শ দিয়াত শেহত মাস্তি নহৈ নোৱাৰিলে। জলবায়ু পৰিবৰ্ত্তনৰ উদ্দেশ্যে ফ্ৰান্সৰ উপকূলত বলোগান নামৰ ঠাইলৈ যোৱা ঠিক হ'ল। দিন ৰাৰ ধাৰ্য্য কৰা হ'ল।

ইছাবেলৰ বাস্তবিকে ৰব বেয়া অৱস্থা—দুৰ্ব্বল, উঠি মিলি ফুৰিবই নোৱাৰে। সদায় দিন ৰাতি বহি আৰু শুই কটায়। কেতিয়াবা বাহিৰলৈ ওলাই গৈ লৰা ছোৱালীহঁতৰ খেলা চাই থাকেগৈ। আৰু বতৰ ভালে থাকিলে গধুলি এবাৰ গাৰীত উঠি অলপ সময় ফুৰি আহে—সেয়ে সকলো। শাৰীৰিক এনেকুৱা অৱস্থাত পুৰণি মানসিক চিন্তাধাৰ আহিল—গিৰীয়েক আৰু মিছ ৰাৰবাৰাৰ কথা। পুৰণি সতিনী হিংসাৰ ভুছভুই জ্বলি উঠিল। মনত নানান ৰকমৰ অশোভন প্ৰশ্ন উঠিল—আৰিবলে তেওঁক অন্তৰেৰে ভাল নাপায়। তেওঁক বিয়া কৰাইছে বংশ গৌৰৱ আৰু মান সম্ভ্ৰমৰ বাবে—কিন্তু ইপিনে মন প্ৰাণ সঁপিছে ৰাৰবাৰাক। কাৰণ বিয়া কৰাই অনাৰ সময়ত পোন প্ৰথমতে তেওঁৰ প্ৰতি কাৰ্লাইলৰ যেনেকুৱা উগ্ৰ আকৰ্ষণ, মৰম চেনেহ আছিল—এতিয়া সেইবোৰ নাই। এতিয়া কাৰ্লাইলৰ ধীৰ-স্থিৰ প্ৰশান্ত মূৰ্ত্তি।

ধৰ্ম্মতঃ প্ৰত্যেক বিবাহিতা তিৰোতাৰ গিৰীয়েকৰ কথা, সময় আৰু সংসাৰৰ সৌত এনেকুৱা ধীৰ স্থিৰ প্ৰশান্ত নহয়নে? কাৰ্লাইলৰ যে তেওঁৰ প্ৰতি আকৰ্ষণ বা মৰম চেনেহ নাই—এনে নহয়। সি যেনে আছিল তেনেই আছে—একেবাৰেই অটুট আছে। অৱশ্যে আগৰ যৌৱন কালৰ সেই উগ্ৰ চঞ্চল মূৰ্ত্তি নাই—কিন্তু এতিয়া সেইবোৰ স্বভাৱতে গাঢ় প্ৰগাঢ়হে হৈছে। সংসাৰৰ সৌত এনেকুৱাই। সক কালিতে ৰবা ছোৱালীবোৰ খেলাৰ পুতুলা লৈ পাগল, কিন্তু বুজন হৈ উঠিলে কি কৰে? কাৰ্লাইলে কোনো কথাতে ইছাবেলক ফাঁকি দিয়া নাই, তেওঁৰ স্বভাৱেই তেনে নহয়—তেওঁ একেবাৰে সৰল প্ৰকৃতিৰ ভদ্ৰলোক। সময় আৰু সংসাৰৰ ঠেলা হেঁচাত তেওঁ স্বাভাৱিকতে তেনে হৈছে। যৌৱনৰ অস্থিৰ চঞ্চল মূৰ্ত্তি পাৰ হ'ল। এতিয়া ধীৰ, স্থিৰ, প্ৰশান্ত মূৰ্ত্তি।

ইছাবেলে সংসাৰৰ ঠেলা বুজিলে। "চিৰদিন কাৰো সমানে নাযায়" নীতি বচন বুজিলে। তেওঁক সংসাৰৰ উপযুক্তা গৃহিণী নাম দিব পাৰিনে? তেওঁ কাৰ্লাইলক ভুল বুজিলে। তেওঁ বুজিলে—মিছ ৰাৰবাৰাই কাৰ্লাইলৰ অন্তৰ অধিকাৰ কৰাত, কাৰ্লাইলৰ এই মূৰ্ত্তি। তেওঁৰ

সতিনী হিংসা অগণি জ্বলিবলৈ লাগিল—খুটি-নাটি সকলো মনত পৰিল। তেওঁৰ মন হৰিষত বিমৰিষ, আনন্দত নিৰানন্দ। ইছাবেলে কাৰ্লাইলক প্ৰকৃততে ভাল নাপাইছিল। কাৰ্লাইলৰ ব্যৱহাৰ প্ৰণালী, মৰম চেনেহ, সুখ সম্ভোগতহে তেওঁ কাৰ্লাইলক ভাল পাবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। প্ৰকৃত প্ৰেম বা ভাল পোৱা কোনোবা দিনা চেষ্টা কৰিলে আহেনে? ই আহিলে অনিচ্ছা স্বত্বেও আপোনা আপুনি আহে—চেষ্টাত নাহে। যেতিয়া তেওঁ আন মানুহৰ লগত কাৰ্লাইলক বিজায় তেতিয়া তেওঁ কাৰ্লাইলৰ মৰম চেনেহ, দয়া, ধৰ্ম্ম, উদাৰতা, মহানুভৱতা গুণত মুগ্ধ হৈ তেনেহেন পুৰুষজনৰ স্ত্ৰী হোৱা গৌৰৱ বুলি ভাবে। কাৰ্লাইলৰ দৰে সুপুৰুষ এজন পালে ৰজাৰ ৰাজকুমাৰীও গৌৰৱ বুলি ভাবে।

তেওঁক কাৰ্লাইলৰ অন্তৰত "সৰ্ব্বস্বত্ব সংৰক্ষিত" ক্ষমতা লাগে। বাৰবাৰাৰ বাবে তাত চুকে কোণেও ঠাই হব নোৱাৰে। ইছাবেলে এইকেৰা মাত্ৰ সহিব নোৱাৰিলে।

জলবায়ু পৰিবৰ্ত্তনৰ বাবে বলোগানলৈ যোৱাৰ দিন বাৰ ঠিক হ'ল। লাগতিয়াল কাপোৰ-কানি, বস্তু-বেহানি চাকৰ-বান্দী সকলো যোগাৰ কৰা হ'ল। কৰ্ণেলিয়াৰ পেটত ভাত পানী নোযোৱা হ'ল—চিন্তা হ'ল ইমান খৰচ! কিন্তু ডাক্তৰৰ পৰামৰ্শ তাত বাদ প্ৰতিবাদ নাখাটিল। শেহত চেলু উলিয়ালে—লৰা ছোৱালী-হঁতক ইছাবেলে লগত লৈ যাব নোৱাৰে—এৰি যাব লাগে। দুয়োৰে দন্দ হাই লাগিল। ইছাবেলে লৰা ছোৱালী লগতে লৈ যায়—কৰ্ণিয়ে নিবলৈ নিদিয়ে। কাৰ্লাইল আহিল। ঘৈণীয়েকৰ কথা সমৰ্থন কৰিলে। কৰ্ণেলিয়াৰ গৰজনি পাই বিমোৰত পৰিল। ডাক্তৰৰ গাত বিচাৰৰ ভাৰ পৰিল। চতুৰী কৰ্ণেলিয়াই ডাক্তৰ দুজনক হাত কৰিলে। শেহত লৰা ছোৱালীহঁতক ঘৰত এৰি থৈ ইছাবেল অকলে প্ৰবাসলৈ যাব লগাত পৰিল।

ইছাবেলে জেছিক মাতি আনিলে। লৰা ছোৱালীহঁতক চুমা খাই ইছাবেলে সিহঁতক জেছিৰ হাতত কান্দি কান্দি গতাই দিলে আৰু কলে, "জেছি, তোক মই ঘৰত লৰা ছোৱালীহঁতৰ লগত এৰিলোঁ। মোৰ ভগ্ন স্বাস্থ্য পুনৰ পাবৰ আশা কৰি মই প্ৰবাসলৈ ওলালো—তাত মৰিবও পাৰোঁ। যদি মই উভতি নাহো তেন্তে তই মোৰ পোনাকেইটাৰ লগত থাকি সিহঁতৰ যতন লবিনে? শপত খাই ক জেছি।"

"ঈশ্বৰে আপোনাক আৰোগ্য কৰিব; ভালে ভালে ফিৰি আহিব। বেয়া কথাবোৰ ভাবি নাথাকিব।"

"ময়ো এহাশুধীয়াকৈ ঈশ্বৰৰ ওচৰত তাকে খাটিছো। তথাপি জেছি কোনে জানে কেতিয়া কি হয়? জেছি, শপত খাই ক, মোৰ পোনাহঁতৰ লগত থাকি যতন লবিনে?"

"শপত খাই কৈছো মেদাম সিহঁতৰ যতন নিশ্চয় লম, জীৱন থাকে মানে লম।""সিহঁতক মৰম চেনেহ কৰিবি জেছি আৰু মাজে সময়ে কবি সিহঁতৰ দুৰ্কপলীয়া মাকৰ কথা।"

"নিশ্চয় কম, মেদাম নিশ্চয় কম। আপুনি কোনো চিন্তা নকৰিব।"

এদিন কাৰ্লাইল, পিটাৰ (চাকৰ) আৰু উইলছনৰ (লিগিৰী) লগত মিছেছ ইছাবেল কাৰ্লাইল গন্তব্য ঠাই বলোগানত উপস্থিত হ'লগৈ। কাৰ্লাইলে চাই চিতি তেওঁৰ থকা-মেলাৰ সুবিধা এটা ভাল (ওখ খাপৰ) হোটেলত কৰি দিলে। কাৰ্লাইল তাত তিনি দিন মাত্ৰ আছিল—থাকি শৰীৰ মন বৰ ভাল লাগিল। তাকে দেখি তেওঁলোক গিৰীয়েক ঘৈণীয়েক হালৰ মহা আনন্দ—বলোগানৰ জলবায়ুৱে ইছাবেলক সুজিব বুলি—ইছাবেলৰ ভগ্নস্বাস্থ্য পুনৰ ফিৰি আহিব বুলি। বিদায় সময়ত ইছাবেলে কলে, "মই ইয়াত কাৰো লগত চিনা পৰিচয় বা ঘনিষ্ঠতা নকৰো নহয় নে?" "এৰা, নভবা নিচিন্তা-কৈ কৰা বেয়া। ইয়াত হয়তো তুমি চিনি-জানি পোৱা বহুতো মানুহ আছে। ইয়াত নানা ৰকমৰ মানুহ বাস কৰে—তাৰ ভিতৰত কিছুমান অৱশ্যে ভাল, সৎস্বভাৱৰ। কিন্তু কিছুমান একেবাৰেই লম্পট, কুচৰিত্ৰৰ আটক ধুনীয়া উৰিফুৰা ডেকা। শেহৰ বিধৰ মানুহেই বেছিভাগ এইবোৰ ঠাইত ঘূৰি ফুৰে।"

কাৰ্লাইল থিয় হ'ল আৰু তেওঁৰ হাতখন ঘৈণীয়েকৰ

হাতৰ মাজত দি দুয়ো বাটলৈ ওলাই আহিল। হোটেলত থকা ভদ্ৰ অভদ্ৰ বহুতৰ চকু—কাৰ্লাইলৰ সুঠাম, সৰ্ব্বাঙ্গ সুন্দৰ চেহেৰা আৰু ইছাবেলৰ যৌৱন উলাহত ভাহি থকা সুন্দৰ মুখ খনৰ ওপৰত নপৰাকৈ নাথাকিল। কাৰ্লাইলে ততাতৈয়াকৈ খোৱা-মেলা কৰি পিটাৰৰ হাতত বস্তু বেহানিবোৰ গতাই দি ইছাবেলৰ বিদায় ললেহি, "আহো মইনা" বুলি ইছাবেলক ওচৰলৈ টানি আনি চুমা দুটি খাই কলে, "সাৱধানে থাকিবা।"

ইছাবেলে চলচলীয়া চকুৰে কাৰ্লাইলৰ পিনে চাই কলে, "মোৰ মৰম চেনেহ বোপাইতক দিবা আৰ্কি। আৰু" "আৰু কি ইছা? সময় নাই—কোৱা—কোৱা—।"

"মই ইয়াত থকা সুবিধা পাই তুমি বাৰবাৰাৰ—।"

কাৰ্লাইলে ধেমালি বুলি ভাবি হাঁহি মাৰি ৰাওনা হ'ল।

দিন যাবলৈ ধৰিলে। ওৰে দিন ভিতৰত বহি থাকি ইছাবেলৰ ভাল নালাগে দেখি পুৱা গধূলি পিটাৰক লগত লৈ হোটেলৰ পৰা অলপ দূৰৈত বাগিছা এখনত ফুৰি ফুৰেগৈ। কেতিয়াবা কেতিয়াবা ঘণ্টাচেৰেক কিতাপ কাগজ হাতত লৈ তাত অকলে অকলে বহি পঢ়ি থাকে—সময়মতে পিটাৰে আকৌ লৈ আহেগৈ।

এদিন ৰাতিপুৱা জা-জলপান খাই ফুৰিবলৈ গৈ সেই ফুলনিৰ বেঞ্চ এখনত ইছাবেল অকলে বহি আছিল। সেই পিনে কত মানুহ অহা-যোৱা কৰিছিল সীমা সংখ্যা নাই। চাই থাকোতে থাকোঁতে এজন আটক ধুনীয়া ডেকা সেইখিনি পালেহি। সি তেওঁৰ ফালে কেৰাহিকৈ চালে আৰু মনে মনে বখানিলে, "কি সুন্দৰী গাভৰু ছোৱালী—অকলে অকলে বহি আছে।"—তাৰ তৎক্ষণাৎ মনত পৰিল তাহানিৰ পুৰণি কথা—পুৰণি বন্ধু। সি টুপীটো মূৰৰ পৰা নমালে অৰ্থাৎ তেওঁক উদ্দেশ কৰি নমস্কাৰ জনালে আৰু হাতখন আগবঢ়াই যৌৱনসুলভ মিচিকিয়া হাঁহি মাৰি কলে, "মোৰ বোধহয় ভুল হোৱা নাই; লেডী ইছাবেল নে?"

"এৰা, লেভীছন" বুলি কৈ ইছাবেলও হাতখন আগবঢ়াই দিলে আৰু কিবাকিবি নভবা-নিচিন্তাকৈ কৈ পেলালে।

"ক্ষমা কৰিবা, এতিয়া তুমি লেডী ইছাবেল কাৰ্লাইলহে। সময়ৰ লগে লগে সকলো কথা অতীতৰ কোলাত মাৰ গ'ল ইছাবেল! তোমাক দেখি বৰ সুখী হলো। তুমি কি কাৰণে ইয়ালৈ আহিছা?"

"মোৰ বৰ অসুখ হৈছিল। সাগৰৰ পাৰত জলবায়ু পৰিবৰ্ত্তন কৰিবলৈ আহিছোঁ। মিঃ কাৰ্লাইলে মোক ইয়াত ৰাখি কালি ৰাতি পুৱা গল।"

"বাস্তৱিকে বৰ দুৰ্ব্বল আৰু খীণ যেন দেখিছোঁ। কিবা সহায় লাগিলে মোক কবা ময়ো ইয়াতেই থাকোঁ।"

ইছাবেলে মনে মনে বৰ বেজাৰ আৰু আমনি বোধ কৰিলে। কাৰণ তেওঁ জানে যে লেভীছনক দেখা পালে তেওঁৰ মনত পুৰণি ছোৱালী কালৰ কথাবোৰ মনত পৰিব—নানা উত্তেজনাৰ আবিৰ্ভাৱ হব। সেই মুহূৰ্ত্ত পৰ্য্যন্ত লেভীছনৰ প্ৰতি তেওঁৰ কোনো ভাব উদয় হোৱা নাছিল। তেওঁ, "বাৰু, এতিয়া আহোঁ—গুড্‌মৰ্ণিং কেপ্তেন লেভীছন," বুলি যাবলৈ ওলাল।

ইছাবেলে থিয়হৈ থৰক্ বৰক্‌কৈ খোজ কঢ়া দেখি, "তুমি খোজ কাঢ়ি যাবলৈ নোৱাৰিবা, বাৰু মই হাতত ধৰি থৈ আহো গৈ" বুলি লেভীছনে নিঃসঙ্কোচে ইছাবেলৰ হাতখন তাৰ হাতৰ মুঠিত ললে। ইছাবেলৰ গা শিয়ঁৰি উঠিল। তাহানি যিদৰে মিছেছ লেডীছনৰ ঘৰত হাতত ধৰা ধৰিকৈ ফুৰিছিল আজিও ঠিক তেনেকৈ দুয়ো ইছাবেলৰ থকা ঘৰ পালেগৈ। ইছাবেলে লেভীছনক অশেষ ধন্যবাদ জনাই ভিতৰ সোমাল। "আশয় পোৱা কুকুৰে গললৈ জপিয়ায়" ইকথাৰ হলাহল প্ৰমাণ স্বৰূপে লেভীছনো বিনা নিমন্ত্ৰণে লগে লগে ঘৰ সোমাল আৰু এখন চকীত বহি ইছাবেলৰ মন ভাল লগাবৰ বাবে কথাবাৰ্ত্তা আৰম্ভ কৰিলে। আধা ঘণ্টা মানৰ পিছত লেভীছন যাবলৈ ওলাই থিয় হল আৰু সুধিলে, "আবেলি কি কৰি সময় কটোৱা?"

"শুই থাকি। গোটেই দিন বহি থাকিব পাৰা হোৱা নাই।"

"নালাগে শুই নাথাকিবা। যিখিনি পাৰো মই

তোমাক সহায় কৰিম ফুৰিবলৈ ওলাই যাবা। বাস্তৱিকে তোমাক ইয়াত দেখি মই বৰ আনন্দ পাইছোঁ। মই থাকোতে তুমি চাকৰ এজনৰ লগত ফুৰিবলৈ যাবানে? বাৰু সদায় পুৱা গধূলি মই তোমাক ফুৰিবলৈ লৈ যামহি—তুমি সাজু হৈ থাকিবা। মিঃ কাৰ্লাইল আহিলে তাৰ বাবে মোক অশেষ ধন্যবাদ পুৰস্কাৰ দিব।"

এই কথাত ইছাবেলে কিবা আপত্তি কৰিব পাৰিলেনে? একো নোৱাৰিলে। সিও সৰল অন্তঃকৰণে কথাবোৰ কৈছিল—আনে যেনেকৈ কয় সচৰাচৰ তেনেকৈ। ইছাবেলে নিজকে নিজে ধিক্কাৰ দিলে। যদি তেওঁ আগৰ পুৰণি কথাবোৰ তেনেই পাহৰিছিল, তেন্তে এতিয়া সিহঁতৰ লগত কি কাৰণে তয়াময়া যুজ কৰিব লাগে? লেভীছনক লগ পালে, খা-খবৰ জানিলে সেয়ে শেষ হব লাগে কিন্তু তাতেই শেষ নহৈ হাত ধৰা-ধৰি কৰি বা পুৰণি কথা মনত কৰি কি কাৰণে নিজে নিজক ধিক্কাৰ দিবলৈ লাগে? কাৰ্লাইলে তেওঁক এনেকুৱা অসহায় বিপন্ন অৱস্থাত এৰি আহিছিল নে? বাটৰ কচু-ঠাৰি ছিঙ্গি গাত ঘঁহিবলৈ কাৰ্লাইলে তেওঁক পৰামৰ্শ দিছিলনে? আজি কেপ্তেন লেভীছনক লগ পাই হাত ধৰা-ধৰিকৈ ফুৰিলে, কাইলৈ আকৌ-কোনোবা কৰ্ণেল ব্যভিচাৰ আহক তাৰ লগতো হাত ধৰাধৰিকৈ ফুৰিব, এনেকি সুবিধা বুজি চুমা পৰ্য্যন্ত খোৱা-খুই কৰিব? ই কি?

ইছাবেলৰ ভৰি পিচলিল—কুপথত খোজ দিলে!

দিন যোৱাৰ লগে লগে ইছাবেলৰ স্বাস্থ্য আচৰিত ৰকমে ভাল হবলৈ ধৰিলে। সাগৰৰ পাৰৰ বায়ু পানীয়ে তেওঁক খুব গুণ দিলে—তাতোকৈ বেছি গুণে মনৰ প্ৰফুল্লতাই। তেওঁ নিচেই কম সময়ৰ ভিতৰতে প্ৰায় আগৰ দৰে হৈ উঠিল। তেওঁ সদায় পুৱা-গধূলি সাগৰৰ পাৰলৈ গৈ ৰংমনেৰে ফুৰি চাকি আহেগৈ—গিৰীয়েকৰ নিৰ্দ্দেশমতে তাত কাৰো লগত বন্ধুতা নাপাতিলে হয় কিন্তু একমাত্ৰ হাত ধৰা ভিতৰুৱা বন্ধু থাকিল সেই লম্পট কেপ্তেন লেভীছন। সি সদায় তেওঁক সাগৰৰ পাৰত লগ ধৰেগৈ আৰু প্ৰায়ে তেওঁক হাতত ধৰি বাহাত আগ বঢ়াই থয়গৈ। ইছাবেলে যদি সেইটো ভাল নাপাইছিল, তেন্তে দুনাই তেনে নকৰিবলৈ লেভীছনক বাধা নিদিছিল কেলেই? বাধা দিবলৈ বেয়া পাইছিল। এদিন গধূলি কিবা কথা মনত পৰাত ঠাট্টা কৰাৰ ছলেৰে কলে, "এতিয়া গা ভাল পাইছোঁ; হাতত ধৰিব নালাগে অকলে যাব পাৰিম।" কথা শুনি আচৰিত হৈ লেভীছনে তেওঁৰ হাতখন তাৰ হাতৰ মাজত সুমাই ললে আৰু যাবলৈ ধৰিলে। হাতত ধৰা ধৰিকৈ দুয়ো বাহা পালেগৈ। ইছাবেলৰ উপায়ন্তৰ নাছিলনে? লেভীছনে সদায় অন্ততঃ গধূলি-বেলিকা এইদৰে হাতত ধৰি ইছাবেলক দুৱাৰ মুখত থৈ আহেগৈ। ইছাবেলে লেভীছনক কেতিয়াও গধূলি ভিতৰলৈ যাব নকয়, যদিও ৰাতিপুৱা সি বিনা অনুমতিতে ঘৰৰ ভিতৰলৈ সোমায় যায়।

লেভীছনক এৰাবৰ উপায় নাই—সি ইছাবেলৰ গাত জোক লাগা দি লাগিল অৱশ্যে সাগৰৰ পাৰতহে। উপায় আছিল যদি ইছাবেল বাহিৰলৈ নগৈ সদায় ভিতৰতে সোমাই থাকিলহেঁতেন। কিন্তু তেওঁ তালৈ গৈছিল ভগ্ন স্বাস্থ্য পুনৰ পাবলৈ সাগৰৰ পাৰৰ বতাহ খাই; ঘৰৰ ভিতৰত সোমাই থাকিলে তেওঁৰ স্বাস্থ্য লাভ কেনেকৈ হয়? যিমান সোনকালে তেওঁৰ বলোগান প্ৰবাসৰ অন্ত পৰে সিমানেই তেওঁৰ পক্ষে মঙ্গল। তেওঁ ইষ্টলিনিত গিৰীয়েক আৰু লৰা ছোৱালীহঁতক পাবলৈ সদায় ব্যগ্ৰ।

কুৰি দিন প্ৰবাসৰ মূৰত ইছাবেলৰ স্বাস্থ্যৰ উন্নতি আচৰিত ৰকমে হ'ল—সপোনৰো অতীত। তেওঁ গত প্ৰায় যৌৱন ফিৰাই পালে। যৌৱনকান্তি নিপোটল অঙ্গ প্ৰত্যঙ্গত ফুটি উঠিল। লগে লগে যৌৱনসুলভ কামনাৰাশি পুনৰ জাগি উঠিল। তেওঁ ভাবিলে এয়েই সংসাৰ সুখ-সম্ভোগৰ সময়, তেওঁ আৰু উত্তেজিত হ'ল। তেওঁৰ আত্ম-সংযম বা আত্ম পৰীক্ষাত ভৰি পিচলিল চাগৈ।

কাৰ্লাইল ইছাবেলৰ খবৰ লবলৈ আহিল। ইছাবেল আৰু লেভীছনে তেওঁক আদৰি-সাদৰি আগবঢ়াই আনিলে। তেওঁ ইছাবেলৰ স্বাস্থ্যৰ পূৰ্ণ কান্তি দেখি আচৰিত হৈ কলে "তুমি তো খুব ভাল হৈছা ইছাবেল!"

কিন্তু লেভীছনৰ ওপৰত চকু পৰাত তেওঁৰ কপালৰ

শিৰ কেউডাল কোঁচ খালে। ইছাবেলে কথা বুজি টপৰকৈ কলে, "কেপ্তেন লেভীছন আৰ্কিবল।"

"এৰা, মুখ খন চিনা যেন লাগে।" লেভীছনে আগবাঢ়ি গৈ নমস্কাৰ জনাই কলে, "মাজে মাজে এইদৰে ময়ে তেওঁক ফুৰা মেলাত সহায় কৰোঁ ডাঙ্গৰীয়া।"

"অশেষ ধন্যবাদ। বোধকৰোঁ ইছাবেলেও তোমাৰ শলাগ লৈছে।"

লেভীছনে চেলু পালে ইছাবেলৰ স্বাস্থ্য পৰিবৰ্ত্তনত সি কিমান সহায় কৰিছে, বিবৰি কলে; ইছাবেলৰ বৰ্ত্তমান স্বাস্থ্যৰ অৱস্থা বখানিলে।

পিছদিনাখন কাৰ্লাইলে লেভীছনক নিমন্ত্ৰণ কৰিলে খাবলৈ। খোৱা লোৱাৰ পিছত দুয়োৰে মাজত নানা কথা হ'ল। লেভীছনৰ এটা মোকৰ্দ্দমা কাৰ্লাইলে যি পাৰোঁ কৰিম বুলি অঙ্গীকাৰ কৰিলে। তেওঁলোক দুজনে কথাপাতি থাকোঁতে ইছাবেলে খিৰিকীখন মেলি বাহিৰৰ ফালে চাই আছিল চকুৰে, মনেৰে ভাবিছিল লেভীছনৰ প্ৰতি তেওঁৰ আকৰ্ষণৰ কথা। এই আকৰ্ষণে তেওঁৰ অন্তৰত মনে মনে বৰ বেয়াকৈ আঁচ বহুৱালে। তেওঁ সেই আঁচ যিমানেই উঠাবলৈ চেষ্টা কৰিলে, সিমানেই সি চক্‌চকীয়া হৈ উঠিল। হাজাৰ চেষ্টা কৰিও মনক দমাব নোৱাৰিলে। তেওঁৰ অন্তৰত এটা ভয় উপজিল। আন ভয় নহয়। ভয় হল যে তেওঁ এইদৰে অকলশৰীয়া অৱস্থাত লেভীছনৰ লগত ঘনিষ্টতা ৰাখিলে ই অন্তৰত পুহি থোৱা কামনাৰাশি বঢ়াব আৰু তাইৰ ভবিষ্যত জীৱন অশান্তি ভৰা আৰু লোকৰ আগত মুখ উলিয়াব নোৱাৰা কৰি তুলিব। আৰু ই যে গিৰীয়েকৰ কি সাংঘাতিক অন্যায় কৰিব তেওঁ পাহৰিলে।

কাৰ্লাইলে লেভীছনক বিদায় দি আহাত ইছাবেলে সুধিলে, "আৰ্কি, মোৰ এটা নিবেদন আছে, মঞ্জুৰ কৰিম বুলি অঙ্গীকাৰ কৰা।"

"বাৰু কি নিবেদন কোৱা?"

"নহয়, সেইটো অঙ্গীকাৰ কৰা নহল।"

"বাৰু মঞ্জুৰ কৰিম যদি মঞ্জুৰ কৰিব পৰা ক্ষমতাৰ ভিতৰত থাকে।"

"মই ইয়াত থাকিবলগীয়া বাকী কেইদিন তুমিও মোৰ লগত থাকিব লাগে।" কাৰ্লাইলে আচৰিত হৈ ঘৈণীয়েকৰ ফালে চাই কলে—"অ, নোৱাৰো মইনা। মই এতিয়া কামত বৰ ব্যস্ত—কোনোমতে তোমাৰ লগত থাকিব নোৱাৰো।"

"নহয় আৰ্কিবল, তুমি থাকিবই লাগে।"

"নহয়—মই কোনোমতে থাকিব নোৱাৰো সম্প্ৰতি, লাগিলে পিছত অনেক দিন থাকিব পাৰিম।"

"তেনেহলে তুমি কাইলৈয়ে যাবা গৈ?"

"আৱশ্যকে আইন নামানে।"

"তেনেহলে মোকো লৈ যোৱা।" কাৰ্লাইলে হাঁহি মাৰি কলে, "নালাগে মইনা। তুমি ইয়াত থাকা বাবে স্বাস্থ্যৰ খুব উন্নতি হৈছে। বাকী দিন কেইটাও অন্ততঃ থাকা।"

ইছাবেলে খঙতে ৰঙা পৰি কলে, "তুমি লগত নহলে মই ইয়াত থাকিব নোৱাৰোঁ।"

"কি কাৰণে? কোৱা।"

"কি কাৰণে?" তেওঁক কব লাগে! ভাবি চিন্তি ইছাবেলে কৈ থলে, "তুমি নহলে বৰ বেয়া লাগে।" ইয়াৰ কোনো মূল্য নাই। কাৰ্লাইলে সেই কথা নামানিলে। লগত থাকা বা লৈ যোৱা এটাও নহল—বৰং যাবৰ সময়ত কাৰ্লাইলে কেপ্তেন লেভীছনৰ হাতত ইছাবেলক গতাই দি গ'ল। বাঘৰ মুখত গৰু সঁপি দিলে! তেওঁ যেনে সৰল প্ৰকৃতিৰ, আনকো ভাবিলে তেনে, ঘৈণীয়েককো ভাবিলে ঠিক তেনে।

দিন যাবলৈ ধৰিলে। সংসাৰৰ পৰিবৰ্ত্তনৰ লগে লগে ইছাবেলৰো নানা পৰিবৰ্ত্তন ঘটিল। ইছাবেলৰ স্বাস্থ্য নতুন হ'ল—অন্তৰৰ ভাব নতুন, চাৰিওফালৰ প্ৰাকৃতিক সৌন্দৰ্য্য সমূহ নতুন, মনৰ উলাহতে তেওঁ সকলোকে নতুন যেন পালে।

লেভীছনক এৰাবলৈ চেষ্টা কৰি তেওঁ ফুৰিবলৈ যোৱা ঠাই সলালে। কিন্তু উহু নোৱাৰিলে। সময় সলালে, বাট সলালে, তাতো নোৱাৰিলে; তেওঁ যলৈকে যায়, লেভীছনো ত'তেই উপস্থিত. সি ইছাবেলৰ আলেখ-লেখ

লক্ষ্য কৰি গাৰ ছাঁৰ দৰে ফুৰিবলৈ ধৰিলে। তথাপি ইছাবেলে তেতিয়াও পাপীষ্ঠক নকলে, "তুমি মোক লগ নধৰিবা।" তেওঁ ভাবিলেই থন্তেকীয়া। দুদিনতে তাক হয়তো চিৰকালৰ বাবে এৰি যাব। কিন্তু তাৰ ভিতৰতে তেওঁ অনুমান কৰিলে যে এনে নেৰা-নেপেৰাকৈ লাগি থাকা দেখা সাক্ষাৎ বেয়া ফালে ঢাল ললে কাৰণ লেভীছন তেওঁৰ ওচৰ পালেহিয়েই তেওঁৰ গাল-মুখ ৰঙা পৰি উঠে, অন্তৰত বিজুলী খেলে। তেওঁ এই বিজুলী খেল দমাবলৈ চেষ্টা কৰিলে—কিন্তু মিছাতে বতাহৰ প্ৰাৰম্ভতে যেনেকৈ সুদক্ষ নাবিকে পাল তৰি দি বতাহ আগুৰে, তেনেকৈ তেৱোঁ চেষ্টা নকৰিলে কিয়? এতিয়া চেষ্টাৰ অতীত—তেনেই অতীত।

জুলাই মাহৰ এদিন গধূলি। সাগৰৰ পাৰৰ ঝিৰ্ ঝিৰ্ জুৰ বতাহ। চাৰিওফালৰ সকলো নিমাত। লেডী ইছাবেল কাৰ্লাইল তেওঁৰ বন্ধু লেভীছনৰ লগত নীৰৱে বহি আছিল। তেওঁৰ বিদ্ৰোহী অন্তৰ আপোন সুখত সকলো পাহৰি নাচি উঠিল। কিন্তু সন্মুখত—অন্তৰৰ প্ৰবল প্ৰতাপী বিবেক, ন্যায় অন্যায়ৰ বিচাৰক জ্ঞান, চাৰিওফালৰ জড় প্ৰকৃতিৰ অনুভূতি, মুঠতে তেওঁ পৰ স্ত্ৰী হেন পবিত্ৰ জ্ঞান এইবোৰৰ বাধা। নহলে তেওঁ চিৰকালৰ নিমিত্তে কোতিয়াও উঠিবলৈ ইচ্ছা নকৰাকৈ বা নীৰৱতা ভঙ্গ নকৰাকৈ লেভীছনৰ কাষতে বহি থাকিলহেঁতেন।

লেভীছনেই প্ৰথমে আৰম্ভিলে, "ৰিচমণ্ডৰ পাৰত এনেকুৱা সুন্দৰ আনন্দজনক নিশা যাপনৰ কথা মনত পৰেনে ইছাবেল? তোমাৰ পিতাৰা, মিছেছ ভেন, তুমি, মই আৰু আন আন কিছুমান?"

"এৰা মনত আছে। আহা! বৰ সুখৰ দিন গৈছে। তুমি সিদিনা অসাৱধানে গাৰী চলাই মিছেছ ভেনক মাৰিব খুজিছিলা নহয়নে?"

"মাৰিমতো! মোৰ প্ৰত্যেক কথাতে তেওঁ কেলেই চকু দিয়ে? মই মিছ কেলোনাৰাক গাৰীত তুলি লব খুজিছিলো—তেওঁ নিদিলে।"

"কেলোনাৰা দেখনিয়াৰ গাভৰু ছোৱালী। তুমি তাইক ভাল পোৱা দেখি তেওঁ তোমাক বেয়া পাইছিল।"

"নহয় ইছাবেল, কেলোনাৰা নহয় অন্য এজনীৰ নাম কোৱাঁ" বুলি তেওঁ ইছাবেলৰ ফালে চাই থাকিল।

ইছাবেলৰ মুখ ৰঙা পৰিল। মুখখন তাৰ পৰা ঘূৰালে। সি নিজে নিজে কৈ গ'ল, "অতীতৰ কথা পাহৰণিৰ সোঁতত উটি গ'ল ইছাবেল। তাক আৰু মনলৈ আনিব নোৱাৰি। আমি দুয়ো তাত তাছ খেলিছিলো—মনত আছেনে? আঃ যদি কোনোবা দুই প্ৰাণীয়ে ইটো সিটোক ভাল পাইছিল তেন্তে আমি দুয়ো নহয়নে?"

স্তম্ভিত হৈ কিছুপৰ নিমাত থাকি লেভীছনক কথা কবলৈ ইছাবেলে বাধা কৰিলে। "নহয় ইছাবেল। এষাৰ মাথোঁ—আৰু চিৰকালৰ বাবে নকওঁ। মোৰ ঋণ, স্বভাৱৰ অস্থিৰতা, তিৰোতা পুহিব নোৱাৰা অৱস্থা এইবোৰে মোক তলত পেলাই থৈছিল নহলে মই মাউণ্ট চেভাৰ্ণৰ জীয়েকক পাবলৈ আশা কৰিব নোৱাৰিছিলো নে? মই মোৰ অন্তৰৰ সকলো হাবিলাষ মনতে বান্ধি থৈছিলোঁ আৰু মোৰ হাতৰ পৰা তোমাক—....."....

"মই এনে কথা শুনিব নোখোজোঁ লেভীছন" বুলি ইছাবেল চিঞৰ মাৰি খঙতে থিয় হ'ল।

সি তেওঁৰ হাতত থাপ মাৰি ধৰি আকৌ বহুৱালে। "ৰবা, আৰু এক মুহূৰ্ত্ত। মই তোমাক কি কাৰণে হেৰুৱালো? নিজৰ মূৰ্খামিৰ দোষত। মই তোমাক অন্তৰেৰে কিমান ভাল পাইছিলো। আন এজনৰ লগত বিয়া হোৱা দিন পৰ্য্যন্ত মই ডেই পুৰি মৰিছো। ইছাবেল, মই এতিয়াও তোমাক অন্তৰেৰে ভাল পাওঁ।"

"সাৱধানে কথা কবা লেভীছন।"

"মই যি কলো, তাৰ পৰা কাৰো একো অন্যায় নহয়। তুমিও মোক পাহৰিব নোৱাৰা নিশ্চয়। ময়ো তোমাক পাহৰিব নোৱাৰোঁ। আমি দুয়ো নিজ নিজ পথ বাচি লৈছো সেইমতে চলিব লাগিব। আমাৰ ভিতৰত ব্যৱধান অগম্য কিন্তু দোষ হলে মোৰ। মই তেতিয়াই তোমাক সমুদায় কথা অন্তৰ খুলি কব লাগিছিল আৰু তোমাক এনেকৈ কাৰ্লাইলৰ হাতত দলিয়াই পেলাব নালাগিছিল।" ইছাবেলে খঙেৰে কৈ উঠিল, "মোক দলিয়াই পেলাই

দিলা—কাৰ্লাইলৰ হাতত! মিঃ কাৰ্লাইল মোৰ স্বামী দেৱতা, পৰমেশ্বৰ। মই নিজ ইচ্ছাৰে তেওঁক স্বামী বৰণ কৰিছো তাৰ বাবে অলপো অনুতাপ নাই। তেওঁৰ প্ৰতি মোৰ দিনে দিনে আসক্তি বাঢ়িছে। তেওঁৰ কান্তিময়, সৰ্ব্বাঙ্গ সুন্দৰ সুঠাম শৰীৰ চোৱা, তেওঁৰ কাষত তুমি কোন কুটা? কেপ্তেন লেভীছন, তুমি নিজক নিজে পাহৰিছা।"

লেভীছনে দাঁত কামুৰি কৈ উঠিল, "নাই, মই তোমাক পাহৰা নাই।" "মোৰ লগত এনেকৈ কথা কবলৈ তোমাৰ একো স্বত্ব নাই। তোমাৰ বাহিৰে আৰু কোনে মোক এইদৰে অপমান কৰিবলৈ সাহ কৰে? মিঃ কাৰ্লাইল উপস্থিত থাকিলে এনেবোৰ কৰিবলৈ পাৰিল হেঁতেন নে? যোৱা, তোমাৰ লগত বিদায়।"

ইছাবেলে—খঙৰ কোবতে বাহাৰ ফালে বেগ দিলে। লেভীছনেও পাছে পাছে গৈ ইছাবেলৰ হাতখন জোৰেৰে থাপ মাৰি ধৰি নিজৰ হাতৰ মাজত সুমাই ললে আৰু কলে, "ইছাবেল, অনুগ্ৰহকৈ সকলো ক্ষমা কৰা আৰু পাহৰা। আগৰ নিচিনা উপকাৰী ভাই বন্ধু বুলি ভাবা। মই মোৰ দোষ স্বীকাৰ কৰিছো। সেই দোষ আৰু নকৰো, তোমাক আৰু অপমান নকৰো। ক্ষমা কৰা ইছাবেল। মোক তোমাৰ হাতখন দিয়া—মই তোমাক আগবঢ়াই থৈ আহোগৈ; তুমি অকলে ইমান দূৰ খোজ কাঢ়ি যাব নোৱাৰা।"

"নহয়, মই নিদিওঁ বুলি কৈছো।" ইছাবেল গুছি গল।

ঘৰ সোমায়েই ইছাবেলে কাৰ্লাইললৈ এখন জৰুৰি চিঠি লিখি পিটাৰক মাতি আনি ডাক ঘৰলৈ দি পঠালে।

কাৰ্লাইলে চিঠি পায়েই—ততাতৈয়াকৈ বলোগানলৈ আহিল। ইছাবেলক সুধিলে "কিয় লৰালৰিকৈ মাতিছা মইনা? তোমাৰ আচল অভিপ্ৰায় ভাঙ্গি কোৱা"

ইছাবেলৰ অন্তৰেদি বিজুলী প্ৰবাহ এছাতি বৈ গল—"আচল কথা ভাঙ্গি কওঁ—কিন্তু ফ্ৰান্সিছ লেভীছনক ভাল পাওঁ বুলি নকওঁ লেভীছনেও মোক ভাল পায় বুলি কৈছে তাকো নকওঁ।" এইবোৰ কৈ তেওঁৰ মৰমৰ প্ৰিয় স্বামী কাৰ্লাইলৰ মনত অনাহকত অশান্তিৰ ছাঁ পেলাব নুখুজিলে। তেওঁ কব খুজিছিল যে তেওঁৰ এদিন ফ্ৰান্সিছ লেভীছনৰ প্ৰতি অলপ ভাল পোৱা ভাব আছিল—সেইবাবে তেওঁ লেভীছনৰ ঘনিষ্ট সম্বন্ধ ইচ্ছা নকৰিছিল। ইছাবেল কিয় মনে মনে থাকিল? আচল কথা আগতে ভাঙ্গি কোৱা হলে কাৰ্লাইলে কেতিয়াও লেভীছনৰ হাতত পৰিব নিদিলেহেঁতেন আৰু তাকে কৰিলে তেওঁ কাৰ্লাইলৰ পৰা আগতকৈও বেছি মৰম চেনেহ, বেছি আদৰ সাদৰ পালেহেঁতেন।

তেওঁ কিয় নকলে—? কাৰণ ভাবি থাকোঁতেই কাৰ্লাইলে জেপৰ পৰা এখন চিঠি উলিয়াই ইছাবেলৰ হাতত দিলে—মিছ কৰ্ণেলিয়াই লিখা চিঠি। মানুহজনী যেনে কঠুৱা, নিৰ্দ্দয়, নীৰস—চিঠিৰ কথাও তেনে কৰ্কৰীয়া, ৰসহীন, ভাবহীন। "লৰা ছোৱালীহঁত ভালে আছে। সংসাৰ সুচাৰুৰূপে চলিছে। মিছ বাৰবাৰা কেই দিন মান ইষ্টলিনিত থাকিবলৈ আহিছে। তোমাৰ ভাল চাওঁ।"

"মিছ বাৰবাৰা ইষ্টলিনিত থাকিবলৈ আহিছে?" বুলি কাষৰ খিনি পঢ়িয়েই ইছাবেল জলি পকি উঠিল। লেভীছনৰ চিন্তা গ'ল সতিনী দাঁহ জলি উঠিল। "মই যেনে তেনে ঘৰলৈ, যাব লাগে" বুলি গিৰীয়েকক টানকৈ ধৰিলে। শেষত কান্দিলে তাকে দেখি কাৰ্লাইলে কলে, "ইছাবেল তুমি যদি ইমানেই ব্যগ্ৰ তেন্তে মোৰ লগতে যাবা।" কথা শুনি ইছাবেলৰ হিয়া সাতখন হ'ল; মন নাচি উঠিল—আনন্দত অধীৰ হল। গিৰীয়েকক চপাচপ চুমা খালে। কাৰ্লাইলেও সকলো পাহৰি ইছাবেলক বুকুৰ মাজলৈ টানি আনি তাৰ প্ৰতিদান দিলে।

"আৰু এদিন মাথো বাকী। তাৰ পিছতে মই আৰু সেই মানুহজন—এৰা এৰি হম" এই ভাব ইছাবেলৰ মনত কিয় জাগি উঠিল? তেওঁ জানিছিল যে লেভীছনক এৰি যোৱা মানে অন্তৰ ৰাজ্যৰ পাছফালে সূৰ্য্যৰ অস্ত আৰু আগত সন্ধিয়াৰ আন্ধাৰ বৰণ কৰি নিয়া। সি যি হ'ক শেহত ঈশ্বৰক ধন্যবাদ দিলে।

লেভীছনে মোকৰ্দ্দমাৰ খবৰ লবলৈ আহি কাৰ্লাইলক দেখা কৰি সুধিলে, "কিবা কৰিছেনে?"

"এতিয়াও একো পৰা নাই, সময় পোৱাই নাই।"

পিছ দিনাখন বাতিপুৱা কার্লাইল ইছাবেলক লগত লৈ ঘৰলৈ গ'ল। লেডীছেন তেওঁলোকক জাহাজত তুলি আগবঢ়াই দিলেগৈ। সাগৰৰ পাৰত থিয় হৈ লেডীছেনে জাহাজ এৰি দিয়া চাই থাকিল—চকু থাকিল ইছাবেলৰ গোলাপী গাল দুখনত আৰু চকু যোৰত। লেডীছেন চকুৰ আঁতৰ হ'ল—ইপিনে ইছাবেলৰো কঁপনি উঠিল—আপদ গ'ল আৰু কার্লাইলক সাৱট মাৰি ধৰিলে। কার্লাইলে সুধিলে, "কিয় কঁপিছা ইছাবেল?"

"মোৰ মনত বৰ আনন্দ লাগিছে, খুব ভাল লাগিছে।"

"কিয় কঁপিছিলা তেনেহলে?"

"তুমি মোক তাত অকলে এৰি থৈ আহা হলে মই নিজে নিজে কি কৰিলোঁহেতেন তাকে ভাবি আঁকিবল। মোক কেতিয়াও আৰু তোমাৰ পৰা আঁতৰ হবলৈ নিদিবা। মোক সদায় তোমাৰ কাষতে ৰাখিবা।"

মিচিকিয়া হাঁহি মাৰি বুকুৰ মাজলৈ টানি আনি কার্লাইলে কলে, "সদায় এনেকৈ ৰাখিম মইনা!"

—আগলৈ

ঘোষাৰত্ন আৰু ৺গোপাল মিশ্ৰ কবিৰত্ন

—শ্ৰীযুত হৰেকৃষ্ণ গোস্বামী

অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য অসমৰ বৈষ্ণৱ কবিসকলৰ ওচৰত কিমান ঋণী তাক সকলো অসমীয়াই ভালকৈ জানে। অসমীয়া সাহিত্য ভৱালৰ পৰা বৈষ্ণৱ কবি কেজনৰ ৰচিত পুথিবিলাক আঁতৰাই নিলে ইয়াৰ তলি একেবাৰেই উদং হোৱাৰ নিচিনা হব। গতিকে অসমৰ বৈষ্ণৱ কবিসকলৰ পুথিবিলাক নষ্ট হবলৈ নিদি প্ৰকাশ কৰাটো আমাৰ প্ৰত্যেক অসমীয়াৰে কৰ্ত্তব্য। আজি অসমীয়া বাইজৰ আগত অসমৰ পৰম বৈষ্ণৱ কবি ৺গোপাল মিশ্ৰ কবিৰত্নৰ বিৰচিত "ঘোষাৰত্ন" পুথিখনি আৰু গ্ৰন্থকাৰৰ বিষয়ে অলপ আলোচনা কৰিবলৈ আগবাঢ়িলোঁ। বৰ দুখৰ বিষয় যে "ঘোষাৰত্ন" নামৰ পুথিখনি বহুত বছৰৰ আগেয়ে প্ৰকাশ হৈও আজি আমাৰ অসমীয়া বাইজৰ মাজৰ পৰা লোপ পোৱা যেন হৈছে। আমাৰ সাহিত্য সেৱীসকলে এই বিষয় অলপ মনোযোগ দিলে শুক্ল শঙ্কৰদেৱৰ "কীৰ্ত্তন" আৰু মাধৱদেৱৰ "নামঘোষাৰ" দৰে কবিৰত্ন গোপাল মিশ্ৰৰ "ঘোষাৰত্ন" ও অসমীয়াৰ সাহিত্য ক্ষেত্ৰত ভোটাতৱাৰ দৰে জিলিকি থাকিব। এই পুথিৰ গ্ৰন্থকাৰ যে গোপাল মিশ্ৰ কবিৰত্ন আছিল তাক এই পুথিৰ বচনাৰ পৰা পোৱা যায়; যেনে

(১) "সম্ভৱ কৃপাক অম্বসবি,
তাসম্বাৰ পদধূলি ধৰি,
পৰম আনন্দে মিশ্ৰ কবিৰত্নে গাৱে।"১৫৭

(২) "জ্ঞান কৰ্ম্ম পৰিহৰা।
কেৱল নামক ধৰা॥
মিশ্ৰ গোপালে ভণে।
হৰি বোলা সৰ্ব্বজনে॥ "২৫৩

(৩) "কহয় গোপালমিশ্ৰে কৃষ্ণ হৰি নাম
উচ্চ কৰি মুখভৰি বোলা ৰাম ৰাম॥ "৩৯৯

পুথিখনিৰ পৰা বচনা কাৰক সম্বন্ধে আৰু এটি কথা জানিব পাৰি যে তেওঁ শুক্ল দামোদৰ দেৱৰ শিষ্য আছিল।

গ্ৰন্থকাৰে যে কেৱল দামোদৰ দেৱৰ নাম লৈ পুথিখনি আৰম্ভ কৰিছে আৰু শেষ কৰিছে তেনে নহয়। পুথিৰ আন ঠাইতো দেৱদামোদৰক তেওঁৰ গুৰু ভাৱে উল্লেখ কৰিছে। পুথিখনিৰ আৰম্ভতে নিজৰ গুৰু দামোদৰ দেৱক ঈশ্বৰ বুদ্ধি কবি এইদৰে লিখিছে:—

"জয় জয় কৃষ্ণ দামোদৰ, তুমি কল্পতৰু ভকতৰ,
শৰণ পশিলো তজু পাদপদ্মে আমি।
হৃদয় কমলে পদ ধৰা, মোক দাসবুলি লেখি লৱা,
সত্যে সত্যে তজু দাস ভৈলোঁ আমি স্বামী॥ ১

সত্য শুদ্ধ শান্ত বিপ্ৰতনু, গৌৰ পাপহৰ দেখাই পুনু,
জীৱৰ স্বৰূপ দেখাইলা মহা যতনে।
হেন তনু চিন্তা নিৰন্তৰে, মহা সুখদায় জগতৰে
তজু গুণ নাম গাইলে কায়বাক্য মনে॥২"

তলত দিয়া শ্লোকটিৰে পুথিৰ সামবণি মাৰিছে:—

"নামোদৰং প্ৰণজ্যেহহং কৰুণানন্দ সাগৰম্।
নিৰ্ম্মিতা কবি ৰত্নেন ঘোষাৰত্ন প্ৰৱৰ্ত্তিকা॥"

অসম আইৰ সুযোগ্য সন্তান সাহিত্যসেৱী, প্ৰত্নতত্ত্ববিদ পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী দেৱে এঠাইত এই দৰে লিখিছে "৺নীলকণ্ঠ দাস নামে এজন কবিয়ে অসমীয়া পদত দামোদৰ দেৱৰ এখন বিস্তৃত চৰিত্ৰ লিখি এইদৰে উল্লেখ কৰিছে":—

"কবিৰত্নে তথা ভাগৱতক পঢ়ন্ত।
গুদিয়াত থাকি গোপালেও শুনিলন্ত॥
পঢ়িবাৰ কালে দুয়ো ইষ্টতা আছিলা।
গুৰু গৃহে দুয়ো তথা সবিস্তৃ কবিলা॥" ৫৬৮

ইয়াত কবিৰত্ন উপাধিৰে ভট্টদেৱক বুজোৱা হৈছে।

ভট্টদেৱে কৰা সকলো পুথিতেই তেওঁ নিজক কেৱল 'কবিৰত্ন' এই উপাধিৰেই হে বুজাইছে। তেনেহলে ইয়াৰ পৰা দেখা গল যে গোপালমিশ্ৰৰ ঘৰ গুদিয়াত আছিল আৰু তেওঁ ভট্টদেৱৰ সহপাঠী সখীয়েক আছিল। গোপালে ভট্টদেৱক 'ভাগৱত-ভট্টাচার্য্য' উপাধি দিয়ে আৰু ভট্টদেৱে গোপালক "মিশ্ৰ"উপাধি দিয়ে। সেই বিষয় কবি ৺নীলকণ্ঠ দাসে এইদৰে লিখিছে":—

"গোপাল গোসাঞী তথা সঙ্গা কবিলন্ত।
দুই ভট্টাচার্য্য সমে তথা বসিলন্ত॥
গোপালে বুলিলা সখি পঢ়া ভাগৱত।
কবিৰত্নে ভাগৱত পঢ়িলা সভাত॥ ৫৭১
ভাগৱত শুনি প্ৰেমে ভৈলা গোপালৰ।
নিশৰদে শুনে সব লোক নিৰন্তৰ॥
প্ৰেমে বিয়াকুল ভৈলা গোপাল গোসাঞী।
বস্ত্ৰ স্বৰ্ণ দিয়া বুলিলন্ত সঙ্গা চাই॥ ৫৭২
'ভাগৱত-ভট্টাচার্য্য নাম যে তোমাৰ।
শুনিয়া লোকৰ ভৈলা আনন্দ অপাৰ॥
ভট্টাচার্য্যে বুলিলন্ত সখি শুনিয়োক।
গোপাল যে মিশ্ৰ নাম তোমাৰ দুয়োক॥" ৫৭৩

"ইয়াৰ পৰা আৰু এটি কথা দেখা যায় যে 'মিশ্ৰ' এই উপাধিটো আমাৰ দেশৰ প্ৰথমতে ব্যক্তিগত আছিল, পিছতহে বংশগত হৈছে। গোপাল মিশ্ৰই গুদিয়াত যে সত্ৰ স্থাপন কৰে আৰু শিষ্য কৰে সেই বিষয়ে ৺নীলকণ্ঠ দাসে এইদৰে লিখিছে" :—

"শ্ৰী গোপাল মিশ্ৰ যেবে পুৰ দিশে গৈলা।
গুদিয়া স্থানত নাম ধৰ্ম্ম পালি বৈলা॥"

গুদিয়াসত্ৰ কামৰূপৰ নলবাৰীৰ পৰা ডেৰমাইল উত্তৰে। গোপাল মিশ্ৰ প্ৰথমতে দামোদৰ দেৱৰ বাৰজন ব্ৰাহ্মণ শিষ্যৰ ভিতৰৰ এজন আছিল। গোপাল মিশ্ৰ সম্বন্ধে ৺নীলকণ্ঠ দাসে যি লিখি গৈছে 'সত্ৰ চৰিত্ৰৰ' লিখক ৺ৰামবায় দাসেও তাক সমৰ্থন কৰিছে; যেনে—

"কবিৰত্ন বৰ, অতি শান্ত ধীৰ,
আসিয়া বৰ পেটাক।
সত্ৰ বাৰিলন্ত, মেদিয়ো হৈলন্ত,
পালিয়া প্ৰভু আজ্ঞাক॥"

* * * *

গুদিয়াৰ কবি বহু সমযিতে
সখী হৈলা দুহাস্তৰ।
দুয়ো দামোদৰ দেৱৰ তনয়,
যেন এক কলেৱৰ॥ ৯০৭

অন্তে অন্তে দুই দুইকো নাম দিলা,
পিন্ধাই বস্ত্র ভূষণ।
গোপাল যে মিশ্র নাম খ্যাত হৈল,
অনেকে লৈলা শরণ॥"
ভগরত ভট্টা- চার্য্য নাম দিলা,
গোপাল মিশ্রে হবিষে।
যার যশ বাণী পৃথিবী মণ্ডলে,
ব্যাপি বৈলা দশ দিশে॥" ৯০৮

"কবি ৺জয়নারায়ণ দাসে গোপাল মিশ্রর মাতুজন পুস্তেক ৺লক্ষ্মীপতিব যি চবিত্র লিখি থৈ গৈছে তাব পবা দেখা যায় যে গোপাল মিশ্রই প্রথমতে উলুবাবীত সত্র পাতি থাকে। তাব পিছত উলুবাবী সত্র তেওঁব সক ভায়েক অনন্ত মিশ্রক দি তেওঁ গৈ খুদিয়াত সত্র পাতিলে।

৺ লক্ষ্মীপতিব চবিত্রত এইদবে লিখিছে" :—

"পাচে গোপালদেব প্রভু মহা বঙ্গমনে।
উলুবাবী নামে সত্র নির্ম্মিলা তেথনে॥
উলুবাবী নামে সত্র নাহি পটন্তব।
প্রথমতে তাতে থান ভৈলা গোপালব॥ ৫৯

* * * *

উলুবাবী সত্রত আছিলা কতো কাল।
খুদিয়াত সত্র পাচে পাতিলা গোপাল॥ ৮৩
গোপালব কনিষ্ঠ অনন্ত মিশ্র নাম।
রূপে গুণে ধর্ম্মে কর্ম্মে অতি অনুপাম॥
পবম পণ্ডিত ধর্ম্মে কর্ম্মে দেখি ভাল।
উলুবাবী সত্রে তাক থাপিলা গোপাল॥" ৮৪

ইয়াব পবা ভালদবে বুজিব পবা যায় যে গোপাল মিশ্র দামোদব দেবব দিনত এজন প্রসিদ্ধ কবি আছিল। তেওঁ যে ভট্টদেব আৰু দামোদব দেবব সমসাময়িক লোক আছিল তাকো ভালকৈ বুজিব পাবি।

পণ্ডিত ৺হেমচন্দ্র গোস্বামী দেৱে আৰু এঠাইত লিখিছে :—"দামোদবদেবে বৈকুণ্ঠ প্রয়াণ কবিবব সময়ত তেওঁব প্রধান প্রধান শিষ্যবিলাক সকলো গোট খাইছিল। কিন্তু সেই সকলব ভিতবত গোপাল মিশ্র কবিবত্নব নাম নাই। সম্ভবতঃ তেওঁ দেব দামোদবব আগেয়ে দেহত্যাগ কবিছে। এই সকলোবিলাক কথা গমিপিটি চাই আমি ১৪০৬ শকব পবা ১৫০০ শকলৈকে গোপাল মিশ্রব কাল বুলি, ভাবো। তেনেহলে এই কালব ভিতবতে 'ঘোষাবত্ন' লিখা ছৈছে।.....ঘোষাবত্ন ১৪৯০ শকব আগেয়েই লিখা আৰু মাধৱদেবব নামঘোষা ১৪৯০ শকব পিছত লিখা। .....৺বামচবণ ঠাকুবব চবিত্র মতেও শঙ্কবদেব শেষবাব বেহাবলৈ যাওঁতে মাধৱদেবব নগত গণকুচিত বাতি থাকি তেওঁক 'ঘোষা' পুথি লিখিবলৈ উপদেশ দিয়ে আৰু সেই বছবতে তেখেত গৈ বেহাবত নৱতনু ত্যাগ কবে অর্থাৎ ১৪৯০ শকত শঙ্কবদেবে মাধৱদেবক ঘোষা বচনা কবিবলৈ অনুমতি দিয়ে।..... বৈষ্ণব ধর্ম্মব তত্ত্ব সম্বন্ধেও ঘোষাবত্নব প্রণালী, নামঘোষাব প্রণালীতকৈ আৰু স্পষ্ট যেন হে লাগে।

এইবিলাক লিখনিব পবা ভালদবে বুজিব পবা যায় যে গোপাল মিশ্র কবিবত্ন সংস্কৃত ভাষাত এজন নাম জলা পণ্ডিত আছিল। তেওঁ ঘোষাবত্নত যিবিলাক শাস্ত্রব নাম উল্লেখ কবিছে (ব্রহ্ম বহস্য, পদ্মপুবাণ, ব্রহ্মবৈৱর্ত্ত পুবাণ, বায়ুপুবাণ, অগ্নিপুবাণ, স্কন্দপুবাণ, গীতা, ভাগবত, বিষ্ণুধর্ম্মোত্তব, ব্রহ্মাণ্ড পুবাণ গৰুব পুবাণ) তাব পবাই তেওঁব বৈষ্ণব শাস্ত্রত কিমান পাণ্ডিত্য আছিল তাক সহজে অনুমান কবিব পাবি। তেওঁ যে এজন ডাঙব পণ্ডিত আছিল এনে নহয়, তেওঁ এজন অসমীয়া সাহিত্যত প্রথম শ্রেণীব কবিও আছিল। আশাকবো আমাব অসমীয়া বাইজে তেওঁব স্মৃতিব আৰু কবিত্বব উচিত সমাদব কবিবলৈ নাপাহবিব।



আসুবিক ঔষধ

গল্প— —শ্রীযুত অচ্যুতানন্দ দাস বি-এ,

বামমল মেধি ত্রিশত ভবি দিওঁতে নিদিওঁতেই গাটো ইমান বাঢ়িল যে এদিন হেনো ডাক্তবে কিবা কাবণত, তেওঁব হৃদয়ম্ম পবীক্ষা কবোঁতে অনেক সময়লৈকে বুকু আৰু পেটব সীমাটো বিচাবি পোৱা নাছিল। এদিন ইষ্টেথোন ঘবব লোব তুলাচনীত উঠি মেধিয়ে দেখিলে যে তেওঁব গাব ভব তিনি মোন হবলৈ আৰু পোন্ধব ছটাক বাকী। ডাক্তবে কৈছিল বোলে মেধিব ভব বয়সব লগে লগে আৰু বেছিকৈ বাঢ়িব। মেধিব গাব ভবেই এখন ভাব হৈছিল। সেই ভাৰখনব বোজা বৈ তেওঁ বব কষ্ট পাইছিল। তাব বাবে আপত্তি কবাত ডাক্তবে তেওঁক উপবাস খপিবলৈ উপদেশ দিছিল। কিন্তু খোৱা কৰ্ম্ম মেধিয়ে এবেলাও আওঁহেলা কবিব নোৱাবিছিল। তেওঁব সদায় ভয় জানোচা উপবাস খপিলে তেওঁব ঔহেন গালব মাজব পবা নাকটি অলপ স্পষ্ট হৈ ওলায়। তেওঁব প্রকাণ্ড শবীবটো আৰু প্রকাণ্ড কবিবলৈ পুবা মাত্রাই ৰাবধাব চলিছিল। কিন্তু তেওঁব আপত্তিটো হৈছিল কেবল শবীবব ভবব নিমিত্তেহে। ভব নোহোৱাকৈ কোনো উপায়েবে শবীবটো বঢ়াই নিব পাবিলে মেধি পবম সন্তোষ পালেহেঁতেন।

এদিন মেধিয়ে শুনিলে যে নগাওঁব বিখ্যাত উকীল হবিচবণ বৰুৱা হেনো ওহাহাটিত আহি আছে। বৰুৱাব আবুৰেক হেনো আসুবিক চিকিৎসাত বব পাকৈত আছিল। আৰু বৰুৱাই আবুৰেকব পবা সেই চিকিৎসা উত্তবাধিকাবী সূত্রে লাভ কবিছে। এই কথাব দু পাই মেধি আহি সিদিনাই বৰুৱাব শবণাপন্ন হ'ল। কাবো কোকালি কবি ধবিলে বৰুৱাক, গাব ভবটো তেওঁব ক্ষমাই দিবলৈ। বৰুৱাই আঞ্চোপান্ত সকলো শুনি লৈ দিকেইদিন ওহাহাটিত থাকিব সেই কেইদিন মেধিব চিকিৎসা কবিবলৈ গাত ললে।

চিকিৎসা চলিল। প্রথম পালি দবৱত মেধিয়ে একো উপকাব নাপালে। পিছ দিনাখনেই তেওঁ আহি বেঙ্গ বৰুৱাক সকলো কথা জনালে। দ্বিতীয় পালি দবৱ দিয়া হ'ল। ঔষধ দিয়াব পিছত বৰুৱাই মেধিক উপদেশ দি কলে "এই পালি দবৱ অলপ চোকা ধবণব, দুজাগ কবি তিনি ঘণ্টা অন্তবত দুবাব খাব, গুণ নিশ্চয় কবিব, বহুতত প্রমাণীত দবৱ।"

দবৱ লৈ বং মনেবে মেধি ঘবলৈ আহিল। বেঙ্গব উপদেশ মতে বাতি খোৱা-বোৱাব পিছত বিচনাত উঠি ঔষধ পালি দুভাগ কবি এভাগ খালে তাব পিছত বিচনাত দীঘল দি পবিল। মনত দৃঢ় বিশ্বাস, পুৱা উঠিলে আৰু গধুব মেধি নবব। বেছ এটি ডেকা মানুহব দবে অবাধে লবি-ধাপবি ফুবিব পাবিব। লাহে লাহে গোটেই জগৎ নিস্তব্ধ আৰু আন্ধাৰ হৈ আহিল। তাব পিছত কি হল মেধিয়ে একো কব নোৱাবিলে। হঠাৎ মেধিব গাটো ভাল লাগিল। ইমান গধুব শবীবটো ইমান পাতল হৈ পবিল, তেওঁ ইচ্ছা কবিলে পাখীব দবে আকাশত উবি ফুবিব পাবে। আনন্দত মেধিয়ে নিজকে পাহবিলে। তাব পিছত এটি আচবিত ঘটনা ঘটিল। মেধিব আটাই কেইডালি লোম শিহবি উঠিল। তেওঁ বিচনাব পবা বেলুনব দবে আপোনা আপুনি ওপবলৈ উঠিব ধবিলে। মেধিব ইচ্ছা, বিচনাত শুই থাকে ; কিন্তু বিচনাব সলনি মেধি ওপবলৈ উবি গৈ ঘবব মুধ পালে। বোধকবোঁ মুধ নহলে মেধি ওপবলৈ গৈয়েই থালিলেহেঁতেন আৰু চন্দ্রলোক নাইবা কোনো গ্রহত গৈ পবিলেহেঁতেন। আসুবিক ঔষধে মেধিব ভব আটাইখিনি নোহোৱা কবি পেলালে। মেধি অস্থিব হৈ উঠিল। তেওঁ কান্দিব ধবিলে আৰু হবিচবণ বৰুৱাক পাবেমানে গালি পাবিলে। মেধিয়ে ভাবিব ধবিলে "গাব ভবে ভাব হলেও মই মাটিব

মানুহ মাটিত আছিলো। মাটিৰ সুখ দুখ ভোগ কৰিছেই মোৰ ভাল লাগিছিল।" মেধিতকৈ গা ভাৰী মানুহজনো এতিয়া মেধিৰ মনত ইৰ্ষাৰ পাত্ৰ হ'ল। সিও এই মাটিৰ পৃথিবীত খোজ কাঢ়ি ফুৰিব পাৰে। মেধি কেনেকৈ এতিয়া আকৌ মাটিলৈ নামি আহে! শৰীৰৰ ভৰ এনেকুৱাকৈ নোহোৱা হোৱাতকৈ দুগুণ বেছি হলেও মেধিৰ এতিয়া আপত্তি নাই। চিঁৰ মাৰি মেধি যৌগীয়েকক মাত দিলে। যৌগীয়ক আহি মেধি মুখত গৈ লাগি থকা দেখি আচৰিত হ'ল। মেধিয়ে কলে "দি হ'ল হ'ল বাৰু; হৰিচৰণ বৰুৱাৰ আশুৰিক ঔষধে মোৰ আটাইখিনি ভৰ নোহোৱা কৰিলে। এতিয়া বোধকৰোঁ বাতি পুৱাইছে। মোৰ এই ঘটনাৰ কথা কোনো প্ৰাণীকে জানিবলৈ নিদিবি। এতিয়াই মনোৰ হদুৱাই হৰিচৰণ বৰুৱালৈ এটা মোৰ নামে টেলিগ্ৰাম পঠাই দিয়া।" * * তিনি দিন পিছত বৰুৱা আহি মেধিৰ অৱস্থা দেখি অবাক হল। মেধিয়ে বৰুৱাক পাৰেমানে দোষাৰোপ কৰিব ধৰিলে। বৰুৱাই ঔষধ পালিলৈ চাই কপালত চকু তুলি কলে—"ঠ মেধি দেও! আপুনি মোৰ ঔষধ চাৰিভাগৰ তিনি ভাগকেই খাই পেলাইছে। তেনে স্থলত আপোনাৰ তো ভৰ শূন্য হবই আৰু কিছুমান বিয়োগ ভবো হব লাগিছিল। আপুনি নিজৰ দোষত নিজে বিপদাপন্ন হ'ল।" মেধিয়ে মুখৰ পৰা কলে "দি হক বৰুৱা দেও, মোক কোনো উপায়ে মাটিলৈ নমাই নিয়ক।" বৰুৱাই কলে, "অৱশ্যে সেইটো এটা উপায় কৰা যাব। পিছত আপুনি এই তিন দিন কেনেকৈ খোৱা-বোৱা কৰিছিল?"

মেধিয়ে কলে—"বৰুৱা দেও, নকব আৰ! ঈশ্বৰে মোক যথেষ্ট শাস্তি দিলে। টেবিলৰ ওপৰত চিয়াৰ, চিয়াৰৰ ওপৰত টুল আৰু টুলৰ ওপৰত ভাতৰ থালখন দিলেহে মই ঢুকি পাওঁ। সৰু পানী আৰু শৌচ কৰোতেও ঠিক সেই একেদৰেই। এই তিনি দিন অতিকষ্টে কটালোঁ।" বৰুৱাই অলপ গম্ভীৰ হৈ কলে—"মেধি দেও, আপোনাৰ ভৰ আকৌ পুনৰ ঘুৰাই অনা অসম্ভৱ। অৱশ্যে আপোনাক এটা উপায় দিব পাৰোঁ, যি উপায়েৰে আপুনি অনায়াসে আগৰ নিচিনা মাটিৰ ওপৰত খোজ কাঢ়ি ফুৰিব পাৰিব। আপুনি এটা নীহৰ গুণাৰে দহ সেৰ গধুৰ "আন্দাৰ ওৱেৰ" তৈয়াৰ কৰি লব লাগিব। সেইটো পিন্ধিলে আপুনি অনায়াসে মাটিলৈ নামি আহি খোজ কাঢ়ি ফুৰিব পাৰিব। কোনেও তাক নেদেখিবও আৰু আপোনাৰো ভৰ নোহোৱা বুলি সন্দেহ নকৰিব। পিছত আজিলৈ, আপুনি এই যে প্ৰায় দহ সেৰ গধুৰ গদা দুটা আছে ইয়াকে চুয়ে হাতে লৈ নামি আহক।" এই বুলি এসময়ত মেধিয়ে ব্যায়াম কৰা গদা দুটা তেওঁৰ হাতলৈ আগ বঢ়াই দিলে। মেধিয়ে গদা দুটা লওতে, তৎক্ষণাত মাটিলে নামি আহিল। আনন্দত মেধি চিঞৰি উঠি যৌগীয়েকক মাতিব ধৰিলে। যৌগীয়েক চকুখাই উঠি সাৰ পাই দেখে যে মেধি বিচনাৰ পৰা গৈ প্ৰায় উলহ দৈ গদা দুটাৰ ওচৰত মাটিত পৰি আছে। লৰালৰিকৈ আহি কোনো বকমে কষ্টমকৈ মেধিৰ প্ৰকাণ্ড শৰীৰটো মাটিৰ পৰা তুলি বিচনাত বহালে। ঘৰীটৈ চাই দেখিলে, বাতি তেতিয়াও এঘণ্টা বাকী আছে। মেধিয়ে কলে "দি কুসপোনটোকেই দেখিলোঁ।"—

পিছত শুনিব পোৱা গল যে হৰিচৰণ বাবুৰে হেনো মেধিৰ ঔষধত 'সিদ্ধি' দিছিল।*

* ইংৰাজীৰ ৰূপান্তৰ—লেখক।

কৃষ্ণকুমাৰী

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত প্ৰভাত চন্দ্ৰ অধিকাৰী

দ্বিতীয় অঙ্ক

১ম দৃশ্য

অন্তঃপুৰৰ বহিৰ্ভাগ

[কৃষ্ণকুমাৰী এজুপি গছৰ তাঁত বহি গীত গাইছে।]

গান

আহা বসন্ত ফুলবাণি!
গন্ধ-বিধুৰা সুন্দৰি!
বঙোৱা চিত্ত বনচাৰী,
মাৰি কুসুম পিচকাৰী।
ফুলাম হাতেৰে
ধৰি ফুঃ ধনু
আহা চঞ্চলা তৰুণি!
চন্দ্ৰ কিৰণ,
মৃদু সমীৰণ
বিলোৱা কুসুম-ৰৱণী;
বীণাৰ কণ্ঠে গুঞৰি
আহা, নন্দন-বন-মধুকৰী।

[লীলাবাঈৰ প্ৰৱেশ]

লীলা—মোৰ আই, আই! মই আকাশ-পাতাল বিচাৰি ফলক লগালোঁ। তুমি দেহি এইবিনিতে বহি মনে মনে কণ গিয়ানত লাগিছা?

কৃষ্ণা—তুমি সখী, বৰ ভাও জুৰিব পাৰা। মইনো আকৌ কাৰ কণ গিয়ানত লাগিলোঁ?

লীলা—কিয়? জগতসিংহৰ?

কৃষ্ণা—তেওঁনো কোন? ক'ৰ মানুহ?

লীলা—তোমাৰ বৰ—তোমাৰ বৰ, জয়পুৰৰ বজা—

(সুৰ লগাই)

আমাৰে মাইকণ,
আঁজলী ছোৱালী
ঐ ৰাম ঘুমটিত বাগৰি পৰে হো;
ক'ৰ পৰা আহি
বিধুৰি ৰৱে ঐ
ঐ ৰাম ভবিতে সাবটি ধৰে হো।

হবিবোলা—

কৃষ্ণা—তুমি এনে কৰিলে মই গুচি যাম সখি!

লীলা—ও বাক, নকৰোঁ তেনে।

কৃষ্ণা—জয়পুৰৰ বজা জয়পুৰৰে বজা; মোৰ নো কি?

লীলা—তোমাৰ স্বোৱামী, পিয়াৰ, প্ৰাণেশ্বৰ, বুকুৰ কলিজা।

কৃষ্ণা—তোমাৰ সখী মুখখন বৰ চোকা।

লীলা—হুঁ, মোৰ মুখখন চোকা নহৈ বিয়াৰ কনিয়াৰ হব লাগিছিল নে?—সৌৱা, এইজন আকৌ কোন আহিছে? (অজিতসিংহৰ প্ৰৱেশ)।

আপুনি বা কোন? ইয়াত সোমাবলৈ মানা আছে নহয়?—আপুনি গুচি য'ক গৈ।

অজিত—থং নকবিবা সুন্দৰি! মই চন্দাবৎ চন্দাৰ অজিতসিংহ।

কৃষ্ণা—(আত্মগত) কি কণ! যেন কন্দৰ্প নামি আহিছে!

লীলা—ওওঁ ৰাজকুঁৱৰী কৃষ্ণা, মই তেওঁৰ সখীয়েক—লীলাবাঈ—আপুনি এতিয়া য'কৈগৈ।

কৃষ্ণা—ছি সখি!

অজিত—লীলাবাঈ, তুমি ৰাজকুঁৱৰীৰ উপযুক্তা শৰীৰ বক্ষিণী।

লীলা—কুঁৱৰীয়ে বেয়া পায় বুলিছে আপোনাক যাবলৈ কৈছিলো। পিচে, তেওঁ আপোনাক বেয়া পাওক ছাৰি ভালহে পাইছে যেতিয়া—

কৃষ্ণা—সখি, মনে মনে বকা তুমি।

অজিত—সুন্দৰি! তুমি বৰ চতুৰা। কুঁৱৰি! মোৰ অপৰাধ নলব; মই আন কোনোবা বুলিহে ইয়ালৈ আহিছিলো।

কৃষ্ণা—আপোনাৰ একো দোষ হোৱা নাই। লীলা সখী বৰ বাংঢালী ছোৱালী। সেইবাবেহে আপোনাৰ লগত এইখন ধেমালি কৰিছে।

লীলা—মই যাওঁ সখি! (অলপ আগবাঢ়ে)।

কৃষ্ণা—আকৌ নো কি হ'ল?

লীলা—তুমি লোকৰ আগত মোৰ বদনাম গাইছা।

কৃষ্ণা—ওঁ বাক, আক নকওঁ।

লীলা—চৰ্দ্দাৰজী! আমাৰ সখীৰ মনটো কেনেবা কেনেবা লাগিছে। আমি এতিয়া আহিলোঁ।

[এফালে কৃষ্ণা আৰু লীলাৰ প্ৰস্থান—আনফালে যুৱনদাসৰ প্ৰৱেশ আৰু আঁবালত অন্তৰাল।]

অজিত—সঙ্গীতৰ সুকোমল লহৰাস ছন্দ, হাঁহিৰ প্ৰাণ খোলা জোৱাৰ, বিহঙ্গৰ কলা-কাকলী—যেন বাজি উঠে একে লগে বেণু বীণা-মুৰজ-মুৰলী। কি ৰূপ! ই ৰূপৰ তুলনা নাই,—অপৰূপ মাধুৰী যেন ঢেৰে ঢেৰে নাচি সপোনৰ এখন মনোৰম মায়াপুৰী ৰচনা কৰে। যেন এটি কণক পদ্ম, যেন এটি মলয়াৰ আকুল পৰশ! হে অপূৰ্ব্ব সুন্দৰি! তোমাৰ অতুলন ৰূপ দেৱতাৰ কামা; মৰ্ত্ত জগতসিংহে তাৰ কি মোল বুজিব? কিন্তু ম'ক; কৃষ্ণা ৰাজকুঁৱৰী—মই চৰ্দ্দাৰ মাৰ্ৰো, অনুগত ৰাজভৃত্য। কি দুৰাশা! মন! পাহৰি যা; সি দেখিলি, তুমি শুনিলি সি ভোজৰাজি—সপোন। সপোন কাহানিবা সঁচা হয় নে? নহয়। কিন্তু চকুৰ আগত ভাহি উঠে সেই মুখ সেই অতুল ৰূপৰাশি, সেই দুৱন-দুলোৱা নয়ন দুটি; কাণত বিণিজিনি বাজি উঠে সেই শুনিলে পগলা কৰা শতবীণাৰৰ নিন্দিত কণ্ঠৰ সুললিত সুৰ (চিন্তা কৰে)

যুৱন—(স্বগত) ৰূপ, ৰূপ, ৰূপ! শুনি শুনি কাণ দুখন জলা-কলা হ'ল। নাৰীৰ ৰূপে এই বিশ্বব্ৰহ্মাণ্ডখনকে ছাৰখাৰ কৰিলে। অজিতসিংহ মৰিছা, বাণী মৰিছে যেতিয়া আৰু নিস্তাৰ নাই।

অজিত—কোন তুমি?

যুৱন—বন্ধু! চিনিব নোৱাৰিলা?

অজিত—ও যুৱনদাস! কিয় আহিলা?

যুৱন—দৰ্কাৰ আছে।

অজিত—কি দৰ্কাৰ কোৱা,—মনত ভাল লগা নাই।

যুৱন—(স্বগত) সিটো চবই—নহৈ নোৱাৰে। (প্ৰকাশ্যে) শুনা বন্ধু! তুমি কি কৃষ্ণাক ভাল পোৱা?

অজিত—ই তোমাৰ অনধিকাৰ চৰ্চ্চা! মই তাৰ জবাব দিবলৈ বাধ্য নহওঁ।

যুৱন—শুনা বন্ধু! মই অধিকাৰৰ দাবি কৰা নাই,—তোমাক বাধাও কৰা নাই; কিন্তু কলে তোমাৰ মঙ্গলত বাজে অমঙ্গল নহব।

অজিত—যদি ভাল পাওঁ—

যুৱন—বেচ, হৈছে। মই তোমাৰ বন্ধু। কোনো চিন্তা নকৰিবা। যুৱনদাস তোমাৰ সহায় হব।

অজিত। কি কোৱা তুমি? তোমাৰ লাভ?

যুৱন—পৰম লাভ, মহৎ লাভ। শুবুজিলা বন্ধু? প্ৰতিহিংসা, প্ৰতিহিংসা! অপমানৰ নিদাৰুণ প্ৰতিহিংসা। সি দিনাৰ অপমান মনত পৰিলে বুক ফাটি যায়, হৃদয় বিদীৰ্ণ হয়, বুকৰ পাঁজৰ খহি পৰে। বাণী অবিসিহে উপ-পত্নী গ্ৰহণ কৰিছিল—সি কি মোৰ অপৰাধ? বাণীৰ বীৰাত তাৰ পাপিনী বক্ষিতাই মোক জন্ম দিলে—সিও কি মোৰ অপৰাধ? তেওঁ সিংহৰ এই নিলাজ কলঙ্কৰ বোজা মোৰ মুৰত কিয় বন্ধু?—বিচাৰ কৰে কোনে! সমাজ অন্ধ, সমাজৰ লোক গলি যোৱা, পচি যোৱা কুষ্ঠ বোগীৰ দৰে ব্যাধিগ্ৰস্ত অচল। এই সমাজ জীৱিত নে মৃত, কব পাৰানে বন্ধু?

অজিত—তোমাৰ অভিপ্ৰায় কি? খুলি কোৱা।

যুৱন—অভিপ্ৰায়? উজু কথা। কওঁ, শুনা। মই

এবাৰ মৰু-বাজ মানসিংহৰ তাঁলৈ যাম। মানসিংহে কৃষ্ণাক দিয়া কবাবলৈ বাজি নহবনে বন্ধু?

অজিত—ই কি কথা! তেওঁ মোক তুমি প্ৰতাৰণা কৰিছা?

যুৱন—তুমি নিতান্ত মূৰ্খ! মই তোমাক প্ৰতাৰণা কৰা নাই। কৃষ্ণাক পাবলৈ যেতিয়া জগতসিংহ আৰু মানসিংহ পৰস্পৰ ঘোৰ বণত লিপ্ত হৈ থোৱা-কামোৰাকৈ মৰিব—এজনে আনজনৰ টেঁটুত চেপি ধৰিব, তেতিয়া কৃষ্ণা তোমাৰ অঙ্কলক্ষ্মীৰূপে তোমাৰ কামনা পূৰ্ণ কৰিব। বুজিছা নে বন্ধু? কৃষ্ণা তোমাৰেই হব। মোৰো প্ৰতিহিংসা পূৰ্ণ হব। এই বণত বাণা ভীমসিংহ ধ্বংস হৈ য'ক—এয়েই মোৰ একান্ত কামনা।

অজিত—বুজিলো; (স্বগত) কিন্তু উহ, কি ভয়ঙ্কৰ কূট!

যুৱন—তেন্তে বাজি?

অজিত—বা—জি—।

যুৱন—নিশ্চিন্ত হলো; (স্বগত) মোৰ প্ৰতিহিংসা-বহ্নিত ইন্ধন যোগাবলৈ সহায় বিচাৰি পালো

অজিত—কিন্তু কৃষ্ণাৰ যদি কোনো অমঙ্গল হয়?

যুৱন—কাপুৰুষ! একো অমঙ্গল নহয়। কৃষ্ণা তোমাৰ,—কাৰ সাধ্য যে কৃষ্ণাক তোমাৰ পৰা কাঢ়ি নিয়ে।

অজিত—তেন্তে এতিয়া মই যাওঁ। কৃষ্ণা! আজিৰ পৰা তুমিই মোৰ ধ্যান, তুমিই মোৰ জপ, তুমিই মোৰ তপ, তুমিই মোৰ সকলো—

(প্ৰস্থান)

যুৱন—ঘোৰ মূৰ্খ!—

যা মূৰ্খ, ৰূপৰ কাঙাল!
ক্ষুদ্ৰ মাংস-পিণ্ডৰ কাৰণে
পাপ-পুণ্য, ধৰ্ম্মাধৰ্ম্ম
ততালিকে দিলি বিসৰ্জ্জন।
—মানুহৰ এয়েই স্বৰূপ!
নাৰী-ৰূপ ঘোৰ দাৱানল,
—সাৱধান! ৰূপ-মুগ্ধ মোহান্ধ যুৱক!
ঝাপ দিলি,
দহি-পুৰি যাবি ভস্ম হৈ।
—হে আই জননি!
হে সৌন্দৰ্য্যময়ী নাৰি!
সুন্দৰী ললনা!
ৰূপৰ পোহাৰ তোৰ
বিষমতে ৰবি কোনো পতি
নোৱাৰিলি চৰণত দিব উপহাৰ?
অৰ্থহীন বেদময় দুটি
নোৱাৰিলি মুখেৰে মাতিব?
ৰূপোন্মত্তা নাৰি!
চাই যা—চাই যাহি আজি,
কুকৰ্ম্মৰ ফল তোৰ
কেনেদৰে লিখা আছে
যুৱনদাসৰ এই কৃষ্ণ ললাটত।

(প্ৰস্থান)

[পট উঠে]

২য় দৃশ্য

—ফুলনি—

[কৃষ্ণা বহি বহি মালা গাঁথিছে। অজিতসিংহৰ প্ৰৱেশ। কৃষ্ণা থিয় দিয়ে।]

কৃষ্ণা—ওঁ, আপুনি—

অজিত—হয়, কুঁৱৰি! মইহে। মই আপোনাক এটি কথা সুধিব পাৰোঁ নে?

কৃষ্ণা—কি কথা?

অজিত—বঙ্গা জগতসিংহৰে সৈতে আপোনাৰ বিয়াৰ সম্বন্ধ থিৰ কৰা হৈছে। আপুনি বোধকৰো জানে?

কৃষ্ণা—জানো;—কিন্তু, আপোনাৰ কি কথা?

অজিত—(স্বগত) কি অপৰূপ নাৰীনি! এইকপে দেৱতাকো পাগলা কৰে,—এই ৰূপৰ জুইত মইতো এটি ক্ষুদ্ৰ পতঙ্গ মাৰ্ত্ৰো।

কৃষ্ণা—আপুনি কিবা ভাবিছে—

অজিত—ভাবিছোঁ ? বোধ কৰোঁ ভাবিছোঁ। ভাবিছোঁ—তুমি কি অপৰূপ সুন্দৰী ! ভাবিছোঁ—তুমি স্বৰগৰ অপেস্বৰী নে আকাশৰ পৰী ! কৃষ্ণা ! তুমি মানৱী নে দেৱী ?

কৃষ্ণা—মই মানৱী।—কিন্তু আপুনি কি কব খুজিছিল ?

অজিত—অভয় দিয়া।

কৃষ্ণা—মই অবলা নাৰী ; মোক আপুনি ইমান ভয় কৰিছে কিয় ?

অজিত—তেন্তে, শুনা সুন্দৰি ! মই—মই তোমাক ভাল পাওঁ।

কৃষ্ণা—ই কি কথা ! অজিতসিংহ, আপুনি ৰাজভৃত্য। ৰাজকুঁৱৰীক প্ৰেম নিবেদন কৰা ৰাজভৃত্যৰ পক্ষে অমাৰ্জ্জনীয় ধৃষ্টতা। আপুনি আঁতৰি য'ক,—যুৱক-যুৱতীৰ নিভৃত আলাপ নিন্দনীয়।

অজিত—সঁচা কথা ; কিন্তু প্ৰেমে প্ৰভুকন্যা আৰু ভৃত্যৰ মাজত সীমাৰেখা টানি নিদিয়ে কুঁৱৰি ! প্ৰেম অন্ধ।

কৃষ্ণা—কিন্তু মই জগতসিংহৰ বাগ্দত্তা পত্নী। অজিতসিংহ ! আপুনি কি মোক দ্বিচাৰিণী হবলৈ উপদেশ দিয়ে ?

অজিত—প্ৰেমে যুক্তি নিবিচাৰে কুঁৱৰি ! যুক্তি মানুহৰ কুণ্ঠিত, সঙ্কুচিত মনৰ দুৰ্ব্বলতা ঢাকিবৰ বৃথা প্ৰয়াস মাত্ৰ। প্ৰেম কুণ্ঠাহীন, স্বৰ্গীয়।

কৃষ্ণা—হব পাৰে—

অজিত—তেন্তে, মোৰ প্ৰশ্নৰ উত্তৰ দিয়া। তোমাৰ উত্তৰৰ ওপৰত মোৰ ইষ্ট-অনিষ্ট, সুখ-শান্তি, জীৱন-মৰণ নিৰ্ভৰ কৰিছে।

কৃষ্ণা—মই আপোনাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ অক্ষম।

অজিত—অক্ষম ? নাৰী চিৰতিকাল ৰহস্যময়ী এটি ঘোৰ সমস্যা, এটি জটিল সাঁথৰ দুৰধিগম্য। এই সমস্যা ভেদ কৰিবৰ সাধ্য কাৰ ?—তেন্তে, এই তোমাৰ শেষ উত্তৰ ?

কৃষ্ণা—অজিতসিংহ ! আপুনি গুচি য'ক—আঁতৰি য'ক—এতিয়াই দূৰ হ'ক।

অজিত—ইকি—অকস্মাৎ ইমান খং ! যাওঁ কুমাৰি ! কিন্তু তুমি আজি প্ৰত্যাখ্যান কৰিলেও তোমাৰ এই পগলা-কৰা-মুখ, এই কমনীয় কান্তি, এই ভুবন ভুলোৱা ৰূপৰ মোহ অজিতসিংহই শতজন্মলৈকো পাহৰিব নোৱাৰিব। বিদায় কুমাৰি !

(প্ৰস্থান)

কৃষ্ণা—ভগৱান ! দ্বিচাৰিণী নকৰিবা মোক।—অজিতসিংহ ! আৰু দেখা নিদিবা, আৰু চকুৰ আগলৈ নাহিবা। আহিলে—আহিলে, যদি আত্মবিস্মৃত হওঁ, যদি আপোন পাহৰি যাওঁ,—তেন্তে, সি পাপ তোমাৰ, মোৰ নহয়। নাৰী ৰহস্যময়ী, ঘোৰ সমস্যা ! কি নিদাৰুণ আত্ম-প্ৰবঞ্চনাৰে—নিকৰুণ, নিৰ্ম্মম বাণী শুনাই তোমাক দূৰ কৰিলোঁ—তুমি কি বুজিবা হৃদয়হীন পুৰুষ ? আৰু নোৱাৰোঁ—হেঁচি ৰাখিব নোৱাৰো, অসহ্য ! উঃ—হৃদ্‌পিণ্ড ছিঙি যায়, কলিজা ভাঙি গুৰি হৈ যায় !

(প্ৰস্থান)

৩য় দৃশ্য

মাৰৱাৰ

—ৰজাৰ চৰা—

[মানসিংহ আৰু ছদ্মবেশী যুৱনদাস।]

মান—কিন্তু বিয়াৰ কথা কেনেকৈ ৰাণাৰ আগত তোলা যায় ? মইতো কোনো উপায় বিচাৰি পোৱা নাই।

যুৱন—শুনিছিলো যে মাৰৱাৰ ৰাজসিংহাসনৰ পূৰ্ব্ব অধিপতিৰ কুমাৰী কৃষ্ণাৰ পৰিণয় সম্বন্ধ থিৰ কৰা হৈছিল। কিন্তু তেখেত অকস্মাৎ স্বৰ্গগামী হোৱাত কথাটি কাৰ্য্যত পৰিণত হবলৈ নাপালে। এতিয়া ৰাণালৈ এইবুলিয়ে প্ৰস্তাৱ পঠাব পৰা যায় যে কুঁৱৰীক যেতিয়া মাৰৱাৰৰ ৰজাক এবাৰ বিয়া দিওঁ বোলা হৈছে তেতিয়া মাৰৱাৰৰ ৰাজসিংহাসনলৈ কৃষ্ণকুমাৰীক দাবি কৰিবৰ আপোনাৰ নায্য অধিকাৰ আছে।

মান—(হাঁহি) কিন্তু যাৰে সৈতে বিয়াৰ সম্বন্ধ হৈছিল তেওঁ এতিয়া মৃত।

যুৱন—হওক মৃত, একো হানি নাই। সিংহাসন মৃত বা পৰিৱৰ্ত্তিত হোৱা নাই।

মান—যুৱক ! সিংহাসনৰ লগত বিয়া নহব,—হব সিংহাসনৰ অধিকাৰীৰ লগত।

যুৱন—একে কথা মহাৰাজ ! মাৰৱাৰৰ ৰাজসিংহাসনত বহিলে কেৱে অমৰত্ব লাভ নকৰে।

মান—সি কথা সঁচা। তোমাৰ বুদ্ধি বৰ তীক্ষ্ণ।

(আমীৰখাঁৰ প্ৰৱেশ)

আহা, খাঁ চাহেব !

আমীৰ—এওঁ কোন মহাৰাজ ?

মান—এওঁ এজন ধনী সদাগৰ ; বহুমূল্য মণি-মুকুতাৰ বেহা-বেপাৰ কৰে। অবিশ্বাসৰ কোনো কাৰণ নাই খাঁ চাহেব ! সন্দেহ নকৰিবা।

আমীৰ—কিন্তু এওঁ বিদেশী,—বিশেষ অচিনাকি।

যুৱন—খাঁ চাহেব ! বিদেশী পাঠান অবিশ্বাসী নে ৰাজপুত অবিশ্বাসী ? দূৰ-দূৰণিৰ বিধৰ্ম্মী পাঠান অবিশ্বাসী নে স্বদেশৰ স্বধৰ্ম্মী হিন্দু অবিশ্বাসী।

মান—স্থিৰ হোৱা যুৱক !

যুৱন—ৰাজ আজ্ঞা শিৰোধাৰ্য্য।

মান—খাঁ চাহেব ! এওঁ এটি বিচিত্ৰ সংবাদ আনিছে। উদয়পুৰৰ ৰাণা ভীমসিংহই তেওঁৰ অপৰূপ ৰূপৱতী কন্যা কৃষ্ণকুমাৰীক এজন ব্যভিচাৰী, লম্পট, বেশ্যাদাসৰ হাতত অৰ্পণ কৰিবলৈ সাজু হৈছে ! বৰ আচৰিত কথা ! এই লম্পট কোন, জানানে ? এওঁ জয়পুৰৰ অযোগ্য ৰজা জগতসিংহ।—হব নোৱাৰে, কেতিয়াও হব নোৱাৰে, দুশ্চৰিত্ৰ জগতসিংহৰ হাতত সৌন্দৰ্য্যৱতী ৰমণীৰতন কেতিয়াও অৰ্পিত হব নোৱাৰে।—কি কোৱা আমীৰ ?

আমীৰ—মহাৰাজে বোধকৰো, মনে মনে ৰাজকুমাৰীৰ পাণি-প্ৰাৰ্থনা কৰিছে ?

মান—আল্‌বৎ কৰিছো ; মনে মনে কিয়—প্ৰকাশ্যে কৰিছো। শিশোদীয়কুলৰ ৰূপৰ পখিলা এজন চৰিত্ৰহীন, মূৰ্খ কচ্ছাৱহ ৰজাৰ ভোগ্য হব—সি অসহ্য !—ৰাণা ভীমসিংহ ! কোন ৰমণীৰ গুণত ভোল গৈ জগতসিংহৰ হাতত তোমাৰ অনিন্দিতা ৰূপহী কন্যাক অৰ্পণ কৰিবলৈ স্থিৰ কৰিছা, কব নোৱাৰোঁ। তোমাৰ মন তুমি ঘূৰাই লব লাগিব, এই সন্মতি তুমি ততালিকে প্ৰত্যাহাৰ কৰিব লাগিব।

যুৱন—কিন্তু, মহাৰাজ ! এইখিনিতে এটি কথা আছে। কুঁৱৰীৰ বিয়াৰ কথা উদয়পুৰৰ ৰাজসভাত যেতিয়া উঠিছিল তেতিয়া ৰজা জগতসিংহ আৰু মানসিংহ দুয়োৰে নাম ৰাণা ভীমসিংহক কোৱা হৈছিল। ৰাণাই আপোনাৰ নাম শুনি খঙত জলি-পকি উঠিলে আৰু আপোনাৰ নাম কওঁতাজনক অপমান কৰি ৰাজসভাৰ পৰা উলিয়াই দিলে। শেহত তেওঁ ৰজা জগতসিংহকেই জোৱাঁই ৰূপে বৰণ কৰিবলৈ থিৰ কৰিলে। মোৰ কথাৰ এটি বৰ্ণও মিছা নহয় মহাৰাজ ! ইচ্ছা হয়, প্ৰমাণ লব পাৰে।

মান—ইমান দূৰ ! ভীমসিংহ ! তোমাৰ শক্তি মই জানো। সিন্ধিয়াৰ বাৰ বাৰ নিৰ্য্যাতনৰ ফলে তোমাৰ মাজু হাড় ভাঙি দিছে। তুমি এতিয়া বিষহীন সৰ্প। এই অপমানৰ প্ৰতিফল তুমি অচিৰতে পাবা।—আমীৰখাঁ ! ৰাণালৈ তৎক্ষণাৎ সংবাদ পঠোৱা—হয় কৃষ্ণা, নহয় ৰণ।

যুৱন—মহাৰাজ ! মই এতিয়া বিদায় লব পাৰোঁ !

মান—যুৱক ! তুমি মোৰ যি উপকাৰ কৰিলা তাৰ উপযুক্ত পুৰস্কাৰ এদিন পাবা। মানসিংহ অকৃতজ্ঞ নহয়, যোৱা।

(যুৱনদাসৰ প্ৰস্থান)

আমীৰ—মহাৰাজ ! এই যুৱক ৰাজপুত, আপোনাৰ স্বধৰ্ম্মী; কিন্তু মই বিশ্বাস কৰিব নোৱাৰিলো। ক্ষমা কৰিব। এওঁ যেন ছাই-ঢকা-জুইৰ ফিৰিঙ্গতি, ছদ্মবেশী ; যেন ঘোৰ স্বাৰ্থ-বিজড়িত, কাৰবাৰ ওপৰত নিদাৰুণ প্ৰতিহিংসা লবলৈ উন্মত্ত, ব্যগ্ৰ।

মান—বিচাৰৰ সময় নাই খাঁ চাহেব ! অপমানৰ প্ৰতিশোধ লব লাগিব,—প্ৰস্তুত হোৱা, আহা।

(দুয়োৰে প্ৰস্থান)

৪র্থ দৃশ্য

উদয়পুৰৰৈ ঘোৱা বাট

[বাটৰ পৰা অলপ দূৰত বম্য বননি।

এজুপি গছৰ তলত বহি

যুৱনদাস।]

যুৱন—প্ৰকৃতিৰ কি বিচিত্ৰ লীলা! কি মধুৰ বচনা-কৌশল! অদ্ৱৈত বমণীয় উপবন—মলয়াৰ পৰশ লাগি নাচি নাচি চঞ্চল। কুঞ্জে কুঞ্জে ভোমবাৰ আকুল গুঞ্জন, পাতৰ আঁৰে আঁৰে বিহঙ্গৰ সুমধুৰ গান। কি সুন্দৰ, কি মনোহৰ; মন-প্ৰাণ জুৰ পৰি যায়। ইকি! (খিয় দিয়ে) মই কবিছোঁ কি? দূৰ হ, হৃদয়ৰ কোমল প্ৰবৃত্তি, দূৰ হ, মোহ মুগ্ধ সুকোমল ভাব। অন্তৰত অনন্ত চিন্তায়িৰ জুই একুৰা নিৰন্তৰ দপদপকৈ অলিব লাগিছে তাৰ মনত কোনো কোমল প্ৰবৃত্তিৰ ঠাই নাই। মন! টান হ, বজ্ৰৰ দৰে টান হ, খৰ্ব্বাৰ! আত্মবিস্মৃত নহবি। যদি হও, গণত চেপি ধৰি উশাহ বোধ কৰি মাৰিম।—জননীৰ দোষ যে তেওঁ উপপতি লৈছিল। কিয় লৈছিল—কোনে জানে? মই কি জানো? লৈছিল, তেওঁৰ দোষ—মোৰ কি? তেওঁৰ উপপতিৰ দোষ; মোৰ কি? কি সমাজ—এনে অন্ধ যে লোকৰ অপৰাধ মোৰ মুৰত চপাই দি নিশ্চিন্ত মনে বহি আছে। কি ঘোৰ অবিচাৰ! —যাব, ধ্বংস হৈ যাব—যি জাতিয়ে এই বিচিত্ৰ সমাজ গঢ়ি তুলিছে সেই জাতিটোৱে ধ্বংস হৈ যাব।

[এজন বাটকৰা যুৱনদাসৰ সমুখেদি যায়—

ভঙ্গী—গহীন-গৰ্ব্বিত,

অৱজ্ঞা ব্যঞ্জক।]

যা, যা, অঁতবি যা, মই অস্পৃশ্য, মই নৰকৰ কীট,—মই কুষ্ঠবোগী, মই মবিশালিৰ আধা-পোৱা দুৰ্গন্ধী মবা শ। মোক ছুলে তোৰ সমাজৰ ধৰণী জহি-বহি পৰি যাব। আক বেছি পলম নাই, জুই জলি উঠিছে। হিন্দুৰ সমাজ! বাণা ভীমসিংহ! সৌৱা, দেখিছা—জুই জলি উঠিছে—আক নিস্তাৰ নাই; পুৰি ছাৰখাৰ হবি—ছাৰখাৰ হবি। প্ৰতিহিংসা, প্ৰতিহিংসা, জাবজ সন্তানৰ নিৰ্ম্মম প্ৰতিহিংসা (বিকট হাঁহি মাৰি লৰি যাব খোজতে অজিতে আহি হাতত ধৰে)।

অজিত—যুৱনদাস! তোমাৰ মগজুৰ বিকাৰ ঘটিছে, স্থিৰ হোৱা।

যুৱন—খিবে আছোঁ; চোৱা, বুকুত হাত দি চোৱা (অজিতৰ সোঁহাতখন নিজৰ বুকুৰ ওপৰত দিয়ে) বেচ, (হাত এবি দিয়ে)—তুমি ৰাজধানী এবি অকস্মাৎ ইমান দুবৈলৈ আহিলা কিয়?

অজিত—আহিলো—তোমাক লগ পাম বুলি।

যুৱন—মোক লগ পাবলৈ ইমান দীঘল বাট খোজ কাঢ়ি ইয়ালৈ অহাৰ প্ৰয়োজন বুজিব নোৱাৰিলো বন্ধু!

অজিত—নোৱাৰিবা, তুমি বুজিব নোৱাৰিবা। কি বিহ্ব জালত অস্থিৰ হৈ তোমাক লগ পাবৰ কাৰণে ইমান দুবৈলৈ আহিছো, সি তোমাৰ বুজিবৰ কথা নহয়। বন্ধু! প্ৰেমৰ যি সোণালি বাণে হিয়াৰ ভকুল উপচাই অন্তৰ পূৰ্ণ কৰি তুলিছিল সি এটি অতি নিষ্ঠুৰ কথাৰ উষ্ণ তাপ লাগি শুকাই ক্ষীণ হৈ গ'ল। আক কিছুৰ আশা বন্ধু? সুখৰ সপোন শূন্যত বিলীন হৈ গ'ল। এতিয়া কেৱল দুখৰ অঠাই সাগৰ—মোৰ জীৱনৰ একমাত্ৰ সম্বল।

যুৱন—বন্ধু! কৃষ্ণাই তোমাৰ প্ৰেম প্ৰত্যাখ্যান কৰিছে নেকি?

অজিত—অকৰুণ প্ৰত্যাখ্যান, বুক ভাঙি দিয়া প্ৰত্যাখ্যান। যেন অগ্নিময় চোকা কাঁৰ এপাত হৃদ্পিণ্ড ভেদ কৰি গ'ল, উঃ—

যুৱন—অস্থিৰ নহবা। কোৱা, কৃষ্ণাই কি কলে?

অজিত—হৃদয়ৰ অকপট প্ৰেম, প্ৰাণৰ গভীৰ ভালপোৱা, কৃষ্ণাক জনাইছিলো। উত্তৰত তেওঁ কলে যে তেওঁ জগতসিংহৰ বাগ্দত্তা পত্নী; এতিয়া ছিচাবিচি হব নোৱাৰে; কিন্তু মোৰ প্ৰশ্নৰ সৰল, উজু উত্তৰ এটা নিদিলে—দিব নোৱাৰে বুলি কলে। নাৰী বহস্যময়ী!

যুৱন—প্ৰেমান্ধ যুৱক! হিতাহিত জ্ঞান হেকৱাহি অজিতসিংহ! তুমি আশা কৰিছিলা যে কৃষ্ণা তোমাৰ প্ৰেমৰ কথাত পমি যাব? তোমাক ভাল পাই বুলি কৈ বুকুত সাৱটি ধৰিব? দুখনি গোলাপী ওঠেৰে তোমাৰ অধৰত প্ৰেমৰ চুমা আঁকি দিব?—বন্ধু! তুমি ঘোৰ মূর্খ! প্ৰেমৰ পঢ়াশালিত নতুন পঢ়ুৱৈ তুমি। কোনো ভয় নাই তোমাৰ (অলপ হাঁহে)।

অজিত—বহস্য এবা বন্ধু!

যুৱন—বহস্য নহয়। যাৰ্থ নহয়। ন-গাভকৰ প্ৰেম লাজুকী; বুকুখন ফাটি চিৰাচিৰ হলেও মুখ মুকুটে। কৃষ্ণাই তোমাক ভাল পায়; নহলে অতি উজু, নীবস ডাঠ কথাবে তোমাক তেতিয়াই দূৰ কৰি দিলে হয়। কিন্তু, সাৱধান অজিত! কামোন্মত্ত হৈ অবিবাহিতা কুঁৱৰীৰ অঙ্গস্পৰ্শ কৰিবলৈ কেতিয়াও চেষ্টা নকৰিবা। নাগাহৰিবা যে সিহঁত ৰাজপুত-বমণী, হিন্দু নাৰী, মহিমাময়ী সতী পদ্মিনীৰ জাতি। (এখন্তেক নীৰবে থাকি) আকাশলৈ চোৱা, দেখিছা? এডবা ঘোৰ কৃষ্ণবৰ্ণ মেঘ। ক্ৰমে গোটেইখন আকাশ আগুৰি পেলাব, ক্ৰমে ঘোৰ আন্ধাৰে পৃথিবী গিলি পেলাব। এটা ধুমুহা উঠিব, প্ৰচণ্ড ধুমুহা এটা উঠি সমগ্ৰ বিশ্ব কঁপাই তুলিব—আক লগে লগে এটা ভীষণ ভূমিকম্পে পৃথিবীৰ বুকুখন চূৰ্ণ-বিচূৰ্ণ কৰি দি যাব। ই তাৰ পূৰ্ব্ব লক্ষণ; মোৱা, প্ৰস্তুত হোৱা। (অলপ পৰ চিন্তা কৰি) পাঠান আমীৰখাঁই মোক সন্দেহৰ চকুৰে চাইছে; সতৰ্ক হব লাগিব। বিদেশীৰ দুর্নিবাৰ অর্থলোভ, দর্পিত ক্ষমতাৰ প্ৰৱলতাই বাৰ বাৰ ব্ৰহ্মপুত্ৰ, গঙ্গা, সিন্ধুৰ পবিত্ৰ পানী ভাৰতবাসীৰ বক্তেৰে ৰঞ্জিত কৰিছে, উন্মুক্ত তৰোৱাল হাতত লৈ ভাৰতমাতাৰ নগ্ন বুকুৰ ওপৰত পৈশাচিক তালেৰে নৃত্য কৰিছে। ভাৰতবাসীয়ে তাক বোধ কৰিব নোৱাৰিলে। সেয়ে হিন্দু আজি হীন, দুর্ব্বল, পাঠানৰ কৃপাৰ ভিখাৰী; সেয়ে ভাবত আজিও বিদেশীৰ অনুগ্ৰহত শক্তিহীন, ক্ষীণ প্ৰাণ লৈ যন্ত্ৰণাবোগীৰ দৰে কণমপি জীয়াই আছে।—যক, প্ৰস্তুত হোৱা অজিতসিংহ! অচিৰতে ঘোৰ বণ লাগিব। তুমি মানসিংহক সহায় কৰিবা যেন কেৱে জানিব নোৱাৰে। নহলে কৃষ্ণাক পাবৰ আশাত এতিয়াই জলাঞ্জলি দিয়া। (প্ৰস্থান)

অজিত—মুবৰ ভিতৰত সহস্ৰ বৃশ্চিকৰ কামোৰ। কি কৰিম, কি নকৰিম থিৰ কৰিব নোৱাৰো। শেষলৈকে চোৱা য'ক; যুৱনদাসে কলৈ টানি নিয়ে। এফালে কৃষ্ণা আনফালে কৃতঘ্নতা। (প্ৰস্থান)

৫ম দৃশ্য

উদয়পুৰ

—ৰাজবৰা—

(ভীমসিংহ, শিৱদাস, সতীদাস আৰু দুৱৰী)

ভীম—দিনে দিনে যায় দিন,
সমস্যা বাঢ়িছে,
থনে থনে বিপদৰ অশনি গৰ্জ্জনে
অন্তৰত কঁপনি তুলিছে।
ইপিনে কন্যাৰ চিন্তা,
সিপিনে সিন্ধিয়া
দুস্যুক্ত আমীৰ খাঁৰ স'তে
বঙ্গা মানসিংহে আংক'
কবিছে শাসন
দিয়া কৃষ্ণা মোক,
নতু শীঘ্ৰে কবা বণ!—
শিৱদাস! দিয়া সমিধান।

শিৱ—মহাবাণা!
হয় যদি আজ্ঞা আপোনাৰ
কবো বণ আমি সকলোৱে।

সতী—মানসিংহ ক্ষুদ্ৰ কীট;
ভবিবে গচকি দলি
অৰহেলি চলি যাব পাবো;
কিন্তু, আমীৰ দুর্ম্মতি
অতি কুট, ধর্ম্মাধর্ম্ম জ্ঞান বিবর্জ্জিত;
ছল, চতুৰালি তাৰ বণৰ কৌশল।
তথাপিও, ৰাজপুতে
আমীৰক তৃণবৎ মানে।

ভীম—সেয়ে হ'ক সেনাপতি!
কবাগই যুদ্ধ আয়োজন;

জীয়াই থাকতে কৃষ্ণা
মাবরাব সিংহাসন
নোরাবে শোভিব।
প্রতিজ্ঞা কবিছো যেবে
জগতসিংহক কৃষ্ণা অবশিবলই
সি প্রতিজ্ঞা নোরাবো ভাঙিব।
ভাঙিলে প্রতিজ্ঞা মোব
লোকে নিন্দা কবিব বিস্তব
বাণা ভীমসিংহব নামত
বটিব কলঙ্ক ঘোব মুছিব নোরাবা।

সতী—কোনো চিন্তা নাই মহাবাণা!
মানসিংহে কবে যদি বণ
অবশ্যে জগতসিংহে কবিব সহায়।
দুই শক্তি হলে সম্মিলিত
মানসিংহ তিষ্ঠিব নোরাবে,
আমীববো সাধ্য নাই
পবাজয় কবে নিবাবণ।

ভীম—কিন্তু,
সিন্ধিয়াও মিলে সদি
মানসিংহ স'তে?
ভাবি চোরা শিরদাঁড়া!
ভাবি চোরা,
কি উপায় কবিবা তেতিয়া;
কি উপায়ে শত্রু-সেনা
হব পবাজিত।

শির—সিন্ধিয়া?
কি কাবণে সিন্ধিয়া মিলিব?
মিলে যদি,
তথাপিও নাই একো ভয়।
সিন্ধিয়াব দস্যু দল
সমুখ বণত নোহে
অকণো পার্গত।

ভীম—হয় বণ হ'ক—
কিন্তু কৃষ্ণাব কি হব?
বণব বিজয়-মালা
মানসিংহে পিন্ধিব নে
বাণা ভীমসিংহে,
কোনে কব পাবে তাক,
কোনেই বা জানে?
হাব-জিত বণব নিয়ম;
জিতিলে সৌভাগ্য মোব,
পবম গৌবব;
কিন্তু,
হাবো যদি?
হাবো যদি মানব হাতত
লাঞ্ছনাব নাথাকিব ওব,
ওখ শিব দোঁ খাব আপোনা-আপুনি
অপমান লাঞ্ছব ভবত।
ভাবি চোরা সেনাপতি,
মন্ত্রী শিবদাস!
কন্যা কৃষ্ণকুমাবীব
কি উপায় কবিম তেতিয়া,
কি উপায়ে,
কি উপায়ে ছুহিতাব
মান-বক্ষা কবিব পাবিম।

সতী—মহাবাণা!
বৃথা চিন্তা, দুর্ব্বলতা
কবি পবিহাব
বণলৈ দিয়ক আদেশ।
সতীদাস থাকে মানে
কাব সাধ্য অপমান কবে কুঁবীক।

ভীম—মোরা মন্ত্রী!
মোরা সেনাপতি!
সাজু হোরা বণব কামণে,
অদৃষ্টক যি আছে সি হব।
নকবিবা আক্রমণ আগে;
আক্রমিলে মানসিংহে
প্রাণ-পণ শকতিবে প্রকাশি বিক্রম
বিধ্বস্ত কবিবা তাব মতেক বাহিনী।

(সকলোবে প্রস্থান)

[জিবণি-পট।]

স্নেহব টান

গল্প—

—চশ্‌মে সুবজাহান বেগম

বেণুব নিচেই সকতেই বাপেক মাক দুয়ো চুকায়। তেতিয়াবে পবা তাই দদায়েকব আশ্রয়তেই ডাঙব দীঘল হয়। বেণুব দদায়েক এজন মধ্যবিত্ত ধবণব মানুহ। তেওঁব নাম মহেন্দ্র বকৰা। তেওঁব কেই পুবা মান খেতিব উপযোগী মাটি আক কেই হাল মান গৰু, ইমানেই সম্পত্তি। তাবেই তেওঁব যথেষ্ট উপার্জ্জন হয়। ককায়েক চন্দ্র বকৰা এজন চবকাবব ঘবব ডাঙব বিষয়া আছিল। তেওঁ মৃত্যুব সময়ত দীর্ঘকালব আর্জ্জনব সাঁচি পোৱা ধন-সম্পত্তি মাটি-ভেটি, টকা-কড়ি যি আছিল সকলোবিনিবে সৈতে বেণুক দদায়েকব হাতত গতাই দি ভায়েকক কৈ যে যায় "বেণুব দুখ সুখব ভাব তোমাব হাতত দি মই নিঃশিন্ত মনেবে বিদায় লওঁ। তাইব এই সংসাবত তোমালোকব বাহিবে কোনো নাই। এতেকে তোমালোকে তাইব যত্ন লবা, মই যাওঁ।" এই বুলি তেওঁ চিবদিনলৈ চকু মুদিলে।

মহেন্দ্র বকৰাইও ককায়েকব কথা বাখি বেণুব বব যত্ন লবলৈ ধবিলে। তেওঁব নিজব লবা দুটি আক ছোৱালী এজনী। ছোৱালীজনীয়েই কেউটা লবাতকৈ ডাঙব। নাম কমলা। কমলাক বিয়া দিবলৈ ৭।৮ বছব মান হ'ল। গিবীয়েকে বাপেক চুকাবব পবা পঢ়া এবি দি বাপেকব মৌজাধনকে চলাই মৌজাদাব হৈ থাই আছে। তেওঁলো জীয়েক প্রভা আক যৈনীয়েক কমলাব বাজে এই সংসাবত আপোন পবিয়াল কোনোৱেই নাই। অবশ্যে বন্ধু বান্ধব যথেষ্ট আছে; আক পৈতৃক সম্পত্তি আদিও বহুত। মুঠতে তেওঁব কোনোফালে অভাব নাই। নিজব খবচ ভগনব বাজেও দুখী দবিদ্রক দান কবা কমলাইতব এটা অভ্যাসেই।

বেণুব বয়স প্রভাতকৈ কিছু বেছি। কিন্তু দুয়ো প্রায় দেখনত সমানেই আক দুয়োবো বব মিল। স্কুললৈ সদায় একে লগেই যায়। বেণুব দদায়েকে নিজব লবা ছোৱালী আক একোট নাতিনী প্রভাতকেও বেণুক বেছি মবম কবে। কেনেবাকৈ এই মাউবা ছোৱালীকণব মনত দুখ পায় বুলি তেওঁ তাইৰ সদায় চকু বাখে। কবণাত কিবা ভাল বস্তু এটা পালেও বেণুক আনি দিয়ে। তেওঁব মৃত অগ্রজব কথা প্রাণপণে বক্ষা কবি আহিছে। কিন্তু বেণুব খুবীয়েক আন প্রকৃতিব মানুহ, তেওঁ এনেবোব আচবণ বব ভাল নেপায়। বেণুক আদব কবা দেখিলে তেওঁব চকু পোৰে। বেণু জানিবা খুবীয়েকব মনত এটা প্রধান আহকাল। যদিও এই অকণমান ছোৱালীটি কোনো বিষয়ত দোষী নহয়, তথাপি খুবীয়েকব মনত তাই এটা গলগ্রহ হ'ল। মাউবা বুলিও বেণুলৈ তেওঁব একেবি দয়া নহল। বেণুবে এইবোব একোকে গম নেপায়। আজলী বেণুবে ককায়েক বায়েক আদি যেয়ে যি কবিবলৈ কয় তাকে কবে। দদায়েকব মবমতে তাইব আনবোববলৈ কাণসাব নাই। তাতে তাই বব সবল। কপট আচবণ কি তাই এতিয়াও বুজি উঠা নাই। কমলাই বেণুক নিজব ভনী যেন দেখে আক বব মবম কবে। মাজে সময়ে নিজব ঘবলৈকো- লৈ যায়। কেই দিন মান বাখি আকৌ পঠাই দিয়ে। যেতিয়াই তেতিয়াই কিবা কিবি এটা বেণুলৈ পঠিয়াই থাকে।

এই দবেই দিন, মাহ, বছব পাব হৈ গৈ বেণুব বাব বছব হলহি। এনে সময়তে তাই দ্বিতীয় বাব পিতৃহীনা হব লগা হয়। অর্থাৎ বেণুব দদায়েকব কিছুদিন অবত ভুগিয়েই মৃত্যু হয়। তেওঁ ঢুকাবব সময়ত লবা-ছোৱালী আটাইবোবকে গোটাই লৈ কেনেকৈ তেওঁব পিছত ঘব সংসাব চলাব, সুখেবে ও ভালেবে দিন যাব তাবে উপদেশ

দি ভালদবে বুজাই বঢ়াই বেণুক খুবীয়েকক গতাই দি কলে "এই মাউবা ছোৱালীজনীক তোমালোকে কেতিয়াও দুখ নিদিবা। আৰু ভবিষ্যত যাতে তাইৰ ভাল হয় তাৰ চেষ্টা কৰিবা। তাই যাতে মোৰ পাছত বেজাৰৰ দুমুনিয়া এটি পেলাবলৈ সুযোগ নাপায়। তাইৰ দুখ হলে মোৰ আত্মাই ও সুখী হব নোৱাৰে, ককাইদেউৰ তাই আদৰৰ জীয়েক, তেওঁৰ আত্মাই তৃপ্তি নাপাব। মোৰ কথা যেন তোমালোকে বাখা তেছে মই শান্তিত মৰিব পাৰোঁ"। এই কথাত কমলাই আটাইকে পাছত থৈ বাপেকৰ ওচৰলৈ আহি চকুলো টুকি বাপেকৰ মৃত্যু শয্যাত হাত থৈ দৃঢ়ভাৱে কলে "পিতা! আপুনি নিশ্চিন্ত হওক সংসাৰৰ সকলো কাম কাতি কৰি থৈও মই আপোনাৰ আদেশ প্রাণপণে পালন কৰিবলৈ যত্নবান হম। বিপদে-সম্পদে বেণুৰ মই সকলো খবৰ বাখিম। আপোনাৰ কাষত মই আজি এই বিষয়ে প্রতিজ্ঞা কৰিছোঁ। পিতা, আপুনি নিশ্চিন্ত হওক।" কমলাৰ এনে দৃঢ়তাব্যঞ্জক কথা শুনি মহেন্দ্ৰ বৰুৱাই হাঁহি পেলালে আৰু কমলাক কাষলৈ মাতি আনি মুৰত হাত থৈ আশীৰ্ব্বাদ কৰি কলে "আই! আশীৰ্ব্বাদ কৰোঁ সতী লক্ষ্মী হৈ সংসাৰত নাম বাখি যেন যাব পাব; আৰু তোৰ সংসাৰত লক্ষ্মীয়ে চিৰ কালৰৈ ঠাই লওক" তাৰ পিছত বেণুক আশীৰ্ব্বাদ কৰি আটাইবোৰকে এক একৈ বুজাই-বঢ়াই আশীষ দি শান্তিবে বিদায় লৈ মহা প্রয়াণ পথৰ ফালে যাত্রা কৰিলে।

সময় কাৰেকো বাট চাই বৈ নেথাকে। দুখ সুখ একোৱেই সময়ক বাধা দিব নোৱাৰে, আকৌ শোক বেজাৰ আদিক এই সময়ৰ প্রলেপ দিয়েই কিছু ঢাকি বখা হয়। বেণুইতৰো এই দৰেই দুখ সুখৰ মাজেদি দিনবোৰ যাবলৈ ধৰিলে। দদায়েকৰ মৃত্যু হোৱা আজি এবছৰ হল। তেওঁৰ মৃত্যুৰ পিছত প্রায় ৬।৮ মাহ মানলৈকে খুবীয়েকে বেণুক বৰ মৰম কৰিছিল। সেইবাবেই বেণুৰেও সকলোবে সমান আদৰ যত্ন পাই দদায়েকৰ শোক কিছু পাহৰি আছিল। কিন্তু সময়ৰ লগে লগে সকলো আঁতৰ হল। ক্রমে বেণুৰে খুবীয়েকৰ কপট স্নেহ বুজিব পবা হল। তাইৰ পাহৰি থকা শোক পুনৰ জ্বলি উঠিল। এতিয়া হে তাই বাপেক, মাক, দদায়েক, আদি সকলোবে অভাৱ বুজিব পাৰিলে। খুবীয়েকৰ বাহিবে আন সকলোৱে তাইক ভাল পায়, মৰম কৰে। তথাপি তাই নিৰুপায় হৈ পৰিল। সদায় মন মাৰি থাকিব ধৰিলে। এতিয়া খুবীয়েকৰ একান্ত ইচ্ছা তাইক কেনেকৈ ঘৰৰ পবা আঁতৰায়, আৰু তাইৰ বাপেকে যৈ থোৱা সম্পত্তি, টকা পইচা আদি ভোগ কৰে। অশিক্ষিত, অর্থলোভী মানুহৰ মন এনেকুৱাই হবলা। তেনে ধৰণৰ মানুহৰ মনত দয়া, মায়া, সবলতা আদিয়ে কেতিয়াও ঠাই নেপায়েই হবলা!

হঠাতে এদিন শুনা গ'ল বেণুৰ বিয়া। আটাইবোৰ আচৰিত! হঠাতে যে একো উম-দাম নোহোৱাকৈয়ে বিয়াৰ নাম!

কমলাই এই বাতৰি পাই লবা লবিকৈ আহি খবৰ লৈ জানিব পাবিলে যে বেণুক খুবীয়েকৰ দুৰ সম্পৰ্কীয় ভাইক এজনীলৈ বিয়া দিবৰ ঠিক কবিছে। কমলাই ভাল-কৈয়ে জানে যে অশিক্ষিত বমেন্দ্ৰৰ একোৱেই সঙ্গতি নাই। আন পিনে বমেন্দ্ৰৰ দৰে দুর্দ্দান্ত, লম্পট সেই অঞ্চলত নাই বুলিলেও হয়।

কমলাই এনে বাতৰি পাই মূৰে কপালে হাতদি ভাবিবলৈ ধৰিলে। সিফালে উগ্র প্রকৃতিৰ মাকৰ আগত কিবা কওঁ বুলিও কবলৈ সাহ কবা নাই। অৱশেষত বহুত ভাবি চিন্তি ভয় শঙ্কা এবি কমলাই মাকৰ কাষলৈ গৈ কলে, "আই! তুমি এইবোৰ কি কবিছা? জানি শুনি বেণুৰ এনেধৰণ কবিব খুজিছা কিয়? বেচেৰী জনম দুখিনী! তাইৰ যাতে ভবিষ্যত অলপ পোহৰ হয় তাৰ যত্ন কবা হে উচিত আৰু বমেন্দ্ৰৰ নিচিনা লম্পট এটাৰ লগত বেণুৰ নিচিনা সবল প্রাণা ছোৱালী এজনীৰ তুলনা হয় নে? পিতাৰ মৃত্যুৰ সময়ৰ আদেশ বাণী তুমি ইমান সোনকালে পাহৰিলানে আই?" মাকে কমলাৰ কথাত গবজি উঠি কলে, "মোৰ ইচ্ছাত তইতে বাধা দিয় কিয়? তইতে তো তাইক পুহিব নেলাগে। আৰু এদিন নহয় এদিন তাইক দিবই লাগিব যেতিয়া বোজা এটা মৰত লৈ কিমান দিন থাকোঁ; আৰু তাইলৈনো তাতকৈ ভাল লবা এটাই বা পাওঁ ক'ত? বাপেক মাক নথকা ছোৱালীলৈ কোনে মন কাণ দিয়ে? আৰু পিছলৈ থলে চেঁচাবে"। মাকৰ এনে নিদাৰুণ কথাত কমলাই কথাবে বলে নোৱাৰি বেজাৰ মনেবে নিজৰ ঘৰলৈ গল। যাবৰ সময়ত মাগোন কৈ গল বিয়া কিছুদিনলৈ বন্ধ বাখিবলৈ। বেণুৰেও এই কথাৰ গম পালে। বেচেৰীৰ নীবৰে চকুলো টোকাৰ বাহিবে আৰু কি আছে!

ঘৰলৈ যৈ কমলাই ভাবি চিন্তি বহি আছে। কমলাৰ আন কোনো কামতে মন নবহা হল। কেৱল বেণুৰ কথাকে ভাবিব ধৰিলে। এনেতে মৌজাদাৰ আহি কমলাৰ চিন্তাৰ কাৰণ সকলো বুজিব পাৰি তেওঁ এই বিষয়ে কি উপায় কৰিব ভাবিবলৈ ধৰিলে। কমলাই বাপেকৰ মৃত্যু শয্যাৰ কাষত যি প্রতিজ্ঞা কৰি থৈছিল, এতিয়া তাক পুৰাবৰ কাল আছিল। আন ফালে বেণুলৈ তেওঁৰ মনে মৰম তাইৰ ভবিষ্যত ভাবি কমলাই চকুলো টুকিবলৈ ধৰিলে। তেওঁ নিৰুপায় হৈ পৰিল। শোৱা, খোৱা, সকলো এবি কেৱল বেণুৰ ভাবেই তেওঁক অস্থিৰ কবি তুলিলে।

কমলাইতৰ খবৰ পবা প্রায় এমাহেল মান আতৰত নবেনইতৰ ঘৰ। নবেনে এইবাৰ বি, এ, পৰীক্ষাত সুখ্যাতিবে উত্তীর্ণ হৈ ঘৰলৈ আহিছে। তেওঁৰ বাপেক এজন হাইকোর্টৰ নাম জনা উকীল।

আজি প্রায় ছবছৰ মানৰ আগবে পবা নবেনলৈ প্রকাৰ বিয়া দিয়াৰ বন্দোবস্ত চলিছে। কমলাইতবো একান্ত ইচ্ছা নবেনৰ দৰে গুণী, জ্ঞানী চৰিত্রবান ডেকা এজনক চেনেহৰ একেটি জীয়েক প্রদাক দিয়ে। আৰু নবেনইতৰ ঘৰলৈ আটাইবোৰবে একান্ত ইচ্ছা প্রভাৰ নিচিনা সুন্দৰী গুণৱতী ছোৱালী এটি বোৱাৰী কৰি আনিবলৈ। নবেন প্রভা দেখনত দুয়োবো বেচ মিল হব। বিয়াৰ সকলো বন্দোবস্ত ঠিক ঠাক। কেৱল ইমান দিন নবেনে পাচ কবিবলৈহে বাট চাই আছিল।

মানুহে পাঙে হয়, কিন্তু বিধাতাই ভাঙে। অর্থাৎ সদায় ভবা কথা পুবণ নহয়। নবেনৰ বিষয়তো তেনে হল। নবেন যথা সময়ত কলিকতাৰ পবা আহিল। কমলাই বহুত ভাবি চিন্তি মনত এটা কথা সাজি পাৰি থৈছে। এতিয়া কার্য্যত পুবণ হলেই হয়। এদিন কমলাই বেণুক আনিবলৈ মানুহ পঠিয়ালে। বেণু প্রায়েই বাপেকৰ ঘৰলৈ আছে। কেবাদিনো থাকি মেলি যায়। এইবাৰো আছিল। কমলাই বেণুক আদৰ সাদবকৈ খুৱাই বুৱাই সুন্দবকৈ সজাই পবাই দিলে। তাৰ অলপ পিছতে মৌজাদাৰে নবেনক লগত লৈ কমলাইতৰ ঘৰ পালেহি। কমলাই আদৰ সাদৰ কৈ অভ্যর্থনা কবিলে। নবেন মাজে সময়ে কমলাৰ ঘৰলৈ আহে। সেইবাবে আজিও অহাত একো বাধা নেদেখিলে। কমলাই বেণুৰ ধাবাই তামোল-পান, চাহ আদি নবেনক দিয়ালে। বেণুৰে বাপেকৰ কথাত মনত একো নেভাবি অতিথি সেৱা কবিলে। আজলী বেণুৱে একো গম পোৱা নাই।

কিছুপৰ কুশল সংবাদ আদি লৈ কমলাই আন আন কথা পাতি বেণুৰ অজ্ঞাতে নবেনক কলে "তুমি আমাৰ এই ছোৱালীজনী বিয়া কবিব লাগে।" নবেন আচৰিত হল। কিয়নো তেওঁ ভালকৈয়ে জানে তেওঁৰ লগত প্রভাৰ বন্দোবস্ত ঠিক, তেনে স্থলত আজি এনে প্রস্তাৱ কিয়? আৰু এই ছোৱালীজনী ক'ৰ নবেনে নাজানে।

কমলাই সকলো কথা নবেনক ভাঙি পাতি বুজাই কলে। মৌজাদাবেও নবেনক বুজাই কলে "নবেন! তুমি আমাক ভুল নবুজিবা। বেণুক তো দেখিলাই। তাই কোনো গুণ বা কোনো বিষয়তে প্রভাতকৈ কম নহয়। তাই ৰূপত যেনে গুণতো তেনে। তুমি আমাৰ কথাত বিশ্বাস কবা। বেণু, প্রভা আমাৰ দুয়োবো মনত একে—যেন একে জোপা গছবে দুটি ফুল, এই বুলিয়েই ধবি লবা। বেণুক তোমাক দান কবিবলৈ আমাৰ আগ্রহৰ কাৰণটো বুজিলাই, তুমি সদায় আমাৰ ওচৰত একে হয়েই ববা। এতিয়া নিজে ভাবি চোৱা"। নবেনে কিছুপৰ ভাবি উত্তৰ দিলে "আপোনালোকৰ কথাত মই অসমত হব নোৱাৰোঁ। এতিয়া মোৰ পিতাদেউৰ ওপবত হে কথা, মোত একো নাই"। এই বুলি তেওঁ ঘৰলৈ গল। নবেনে বেণুক দেখি আৰু বেণুৰ দুখৰ কথা বিৰাক উপলব্ধি কবিব পাৰিয়েই ইমান সোনকালে এই

বিষয়ত মত দিলে ; আৰু তেওঁ প্ৰভাক যদিও বিয়া কৰাৰ কথা ঠিক আছিল বুলি জানে, তথাপি এদিনা এই বিষয়ে ভবিবলৈ সময় পোৱা নাছিল ; গতিকেই আজি ইমান সোনকালে মত পৰিবৰ্ত্তন কৰিবলৈ সক্ষম হল।

সকলো কথা মৌজাদাৰৰ পৰা নবেনৰ বাপেকে জানিব পাৰি প্ৰথমে কোনোমতেই এই বিষয়ত সন্মত নহৈছিল। অৱশেষত কমলা আৰু মৌজাদাৰৰ অশেষ কাকুতি মিনতি ও শেষত পাঁচ হেজাৰ টকাৰ অলঙ্কাৰ আৰু নগদ টকা আদি দিবলৈ প্ৰতিশ্ৰুতি দিয়াত সন্মত নহৈ নোৱাৰিলে। কমলাই নিজৰ জীয়েকৰ কাৰণে অকণো নেভাবি নিজৰ স্বাৰ্থক হেলাৰেঙে দলিয়াই এই পিতৃ মাতৃ হীনা ভনীয়েকৰ ভবিষ্যত সুখৰ সপোনত তেওঁ নিজেই বিভোল হৈ পৰিল। এফালে তেওঁৰ প্ৰতিজ্ঞা ৰক্ষা আনফালে বেণুৰ হাঁহি মুখ এযে তেওঁৰ সাধনা হল। আশাও পূৰ্ণ হবৰ হল।

কমলাই এই কথা মাকক সোনকালেই জনালেগৈ। মাকে প্ৰথমে মনে মনে নিজৰ আশা পূৰ্ণ নহব বুলি ভাবি বেজাবেবে কলে, "ইই কি ভাল কাম কৰিছ কমলা। প্ৰভাক কি কব ? তোৰ নিজৰ এনে এটা সোণালি সুযোগ এৰি দি ইয়াৰ পাছত প্ৰভাব কাৰণে কিমান যে কষ্ট পাব লগা হয় তাক ভাবিছনে ?" তাৰ উত্তৰত কমলাই মাকক সুন্দৰকৈ বুজাই দিলে "প্ৰভাৰ অদৃষ্ট ভাল হব লগা আছে যদি হবই। মইতো একো বেয়া কাম কৰা নাই। মোৰ স্বাৰ্থ বা প্ৰভাৰ সুখতকৈ মই মোৰ পিতাৰ শেষ আদেশ বেছি ডাঙৰ বুলি ভাবিছোঁ। যেতিয়া মই এনে কাম কৰিবই লাগিব। প্ৰভাৰ সকলো আছে। এবাৰ ভাবি চোৱা আই ! বেণু যে একেবাৰে অনাথা। তাই যে সকৰে পৰা দুখিনী। আকৌ ভবিষ্যতলৈও তাইক এঙ্গাৰত পেলাই দিলে ধৰ্ম্মই সহিবনে আই ? মোক ক্ষমা কৰা, মই তোমাৰ অবাধ্য হৈ এনে কাম কৰাৰ পৰা একোহানি নাই। আই ! তাইৰ হাঁহি মুখেই আমাক ভবিষ্যতে সুখী কৰিব। আৰু স্বৰ্গৰ পৰা পিতা ও সব দেউতাৰ আশীৰ্ব্বাদ পাম। তেওঁলোকৰ আত্মাইও তৃপ্তি লভিব। আই ! তুমি একো বেয়া নেপাবা।"

কমলাৰ এনে বেথা লগা কাকুতি মিনতি ও যুক্তি পূৰ্ণ কথাত মাকে একো নকৈ মনে মনে থাকিল। নিজে যে এই বিষাত খবচ ভগনো বেছি কৰিব নেলাগে তাৰো ভাব কমলাই কৰিব তাকে ভাবি পেটে পেটে খং পালে। জীয়েকৰ আচৰণত তেওঁ মনে মনে ভালেই পালে। সকলো বন্দোবস্ত ঠিক হল।

ইয়াৰ এমাহ মানৰ পিছত মহা সমাবোহেবে বেণু নবেনৰ শুভ পৰিণয় সমাপন হল। কমলাই সকলো বিয়াৰ যোগাৰ মন্ত্ৰ নিজেই কৰিলে। প্ৰতিশ্ৰুতি মতে কইনাৰ লগত নগদ টকা ও অলঙ্কাৰ আদিবে সৈতে পাঁচ হেজাৰ টকাৰ বস্তু দিবলৈ অকণো কুণ্ঠিত নহৈ সন্তোষ মনেবে সকলো কাম সুকলমে সমাধা কৰিলে।

শুভ কাম সুন্দৰকৰে হৈ গল। অনাথা দুখিনী বেণুৰ ভাগ্যাকাশত সৌভাগ্য ৰবি জিলিকি উঠিল। অধৰ্ম্মৰ পৰাজয় আৰু ধৰ্ম্মৰ জয় হল। কমলাৰ অসীম স্নেহ আৰু কৰ্ত্তব্য নিষ্ঠাই সকলোকে চেৰ পেলালে। স্নেহৰ জয় হল। সকলো মানুহে কমলা আৰু তেওঁলোকৰ এনে আত্মত্যাগ দেখি ধন্য দিলে। আনফালে সৰহা অনাথা বালিকাৰ সৰল প্ৰাণৰ স-কৃতজ্ঞ আশীষে তেওঁলোকৰ পৰিত্ৰ প্ৰাণত শান্তিৰ ধাৰা বোৱাই দিলে। কমলা আৰু বেণুৰ পিতাকৰ মৃত আত্মাইও তৃপ্তি লাভ কৰিলে। কমলাৰ প্ৰতিজ্ঞা পূৰণ হল।

মানুহৰ অন্তৰতম নিভৃত অন্তৰৰ গোপন সংকল্পই সেই নেদেখাজনে সদাহেই দেখি আছে। ন্যায়ৰ বিচাৰক আৰু দুখীৰ দুখ মোচন কাৰী পৰম পিতাই সৰলা ছোৱালী বেণুৰ সৰল প্ৰাণত সেই নেদেখা শক্তিবেই শান্তিৰ নিজৰা বোৱাই দিলে।

প্ৰায় এমাহ মানৰ পাছতেই সেইজনা পৰম পিতাৰ পৰম কৰুণাতেই কমলাইও বেছিদিন ভাবিব লগা নহল। নবেনৰ বন্ধু বিমলৰ লগত প্ৰভা আইদেউৰ শুভ মিলন শুভক্ষণত সুন্দৰকৰে হৈ গল। বিমল নবেনৰ লবা কালৰে বন্ধু আৰু এইবাৰ দুয়ো একে লগেই বি, এ পাছ কৰি আহিছে। বিমলৰ পিতাক এজন নাম জলা গণ্য মান্য মানুহ। এসময়ত তেওঁ কলিকতাৰ কোনোবা এটা কলেজৰ

অধ্যাপক আছিল। অলপ দিন হৈছে পেঞ্চনপ্ৰাপ্ত হৈ ঘৰতে আছে। শুভ বিবাহৰ শুভক্ষণত বেণুৰে প্ৰভাক ডিঙিত সাৱটি ধৰি এধাৰি সোণৰ হাৰ প্ৰভাৰ ডিঙিত দিঞাই দি আদৰেবে কলে "প্ৰভা ! কমলা বাইদেউৰ আদৰৰ বস্তু তুমি, তোমাক দিবলৈ মোৰ কি আছে ! এই ক্ষুদ্ৰ উপহাৰকে মোৰ অসীম স্নেহৰ নিদৰ্শন স্বৰূপে তোমাক দিলোঁ ; আৰু তাতোকৈ মূল্যৱান উপহাৰ এটি দিওঁ লোৱা" এই বুলি তেওঁ বিমলক হাতত ধৰি আনি প্ৰভাৰ হাতত দি কলে "প্ৰভা ! এনে এটি মহা মূল্যৱান অলঙ্কাৰ আজিৰ দিনত তোমাক গতালোঁ যতনেবে থবা আৰু ইয়াতকৈ মূল্যৱান উপহাৰ একোৱেই নাই। আশীৰ্ব্বাদ কৰো দুয়ো সুখী হোৱা।" প্ৰভা আৰু বিমলে বেণুক সেৱা কৰিলে। ভিতৰৰ পৰা সক সক লবা ছোৱালীবোৰে পুষ্প বৃষ্টি কৰিবলৈ ধৰিলে।

জয় মঙ্গল গীতি

শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা বি-এল

আজি বীৰ বেশে হোৱা আগুৱান।
বাজিছে ভেৰী, বাজিছে শঙ্খ,
বাজিছে ঐক্যতান,
(আজি) বীৰ বেশে হোৱা আগুৱান ॥
মাতিছে মাতৃ আহাহে পুত্ৰ,
আহাহে শক্তিমান।
আজি বাৰ তেজে হোৱা আগুৱান ॥
মাতৃ যজ্ঞৰ আৰতিৰ গোন্ধ আমোদে
আকুল প্ৰাণ,
আহাহে পুত্ৰ, আহাহে আৰ্য্য,
আহাহে শক্তিমান।
(আজি) বীৰ দৰ্পে হোৱা আগুৱান ॥
বীৰ তেজে, বীৰ দৰ্পে—
আহাহে শক্তিমান ॥

বিশ্ব-প্ৰৱাহ

অভিনৱ ধৰণৰ সামৰিক আকাশীযান

ইয়াত দিয়া আকাশীযানখন সম্পূৰ্ণ ধাতুৰে নিৰ্ম্মিত। ইয়াৰ নেজফালে ক্ৰমান্বয়ে চিয়াঁমৰা। ইয়াৰ মাজ খণ্ডৰ



'ডিমন' নামৰ 'টু স্ট্ৰিটাৰ' সামৰিক আকাশীযান—ৰোলচ্-ৰইচ ইঞ্জিনেৰে সজা।

যি ঠাইৰপৰা জোঙা হৈ আহিছে সেইখিনিত এজন হিলৈদাৰিয়ে অতি দূৰৰপৰাও শত্ৰুলৈ গুলী কৰিব পাৰে।



হিলৈধাৰীসকলৰ সুবিধাৰ বাবে সজা সামৰিক আকাশীযান—ব্ৰিষ্টল পেগাচাচ ইঞ্জিনেৰে সজা।

অথচ মাজখণ্ডৰ আকাৰ তেওঁ বহা ঠাইতকৈ বৃহত্তৰ হোৱাৰ কাৰণে বতাহে তেওঁক কোবাব নোৱাৰাত তেওঁ নিৰাপদে থাকিব পাৰে। তাৰ উপৰিও চলাওঁতা আৰু হিলৈদাৰিৰ মাজত থকা খোটালিৰ ভিতৰত তিনিজন যাত্ৰী উঠি যাব পাৰে। এই খোটালিটোৰ উপৰি ভাগত বোমা নিক্ষেপ কৰা এটি যন্ত্ৰ ৰখাবো যথেষ্ট ঠাই আছে। আৱশ্যক বুজি ইয়াৰ চকৰী দুটাৰ মাজত এটা টৰ্পেডো নিব পাৰি।

এইখন সামৰিক আকাশীযানত দুঠাইত বহাৰ স্থান আছে। এই যানখন বৃটিছ এয়াৰ ফৰ্ছৰ কেবাটাও বিভাগতে দিয়া হৈছে।

আমেৰিকাত সংৰক্ষিণী নীতি

জাপানৰ বিশেষ অৱস্থাৰপৰা জাপানী বস্তু সস্তাত বেচিব পৰা ব্যৱস্থা হৈছে। এই ব্যৱস্থাত জাপানী বস্তুৱে ভাৰতৰ বজাৰ আগুৰি পেলাইছে। অকল ভাৰতৰে নহয়—



আমেৰিকাৰ কেখনমান প্ৰদেশৰ শাসনকৰ্ত্তা মিলি সস্তাত দিয়া জাপানী কাপোৰ পৰীক্ষা কৰিব লাগিছে।

ভাৰতবৰ্ষতো পৰাধীন দেশ—বহু স্বাধীন দেশতো জাপানী বস্তুৱে ত্ৰাস জন্মাইছে। আজি আমেৰিকাৰ দৰে শিল্প-বহুল দেশতো জাপানী কাপোৰে নতুন সমস্যাৰ সৃষ্টি

কৰিছে। সস্তা জাপানী কাপোৰ আমেৰিকাৰ বজাৰত সুবিধা নিদিবলৈ আমেৰিকাৰ মেইন, মেচাচুস্যেটছ্, নিউ হেমিস্ফিয়াৰ আদি ঠাইৰ গৱৰ্ণৰসকলে প্ৰেছিডেণ্ট ৰুজভেল্টৰ গৱৰ্ণমেণ্টৰ ওচৰত জাপানী বস্তু আমেৰিকালৈ যোৱা বাধা দিবলৈ আবেদন জানাইছে।

বাৰ্লিনত হাৰ হিটলাৰৰ জন্মদিন উৎসৱ

যোৱা ২২ এপ্ৰিল তাৰিখে বাৰ্লিনত হাৰ হিটলাৰৰ ৪৬ তম জন্মদিন উৎসৱ পালন কৰা হয়। জাৰ্ম্মেণীৰ



হাৰ হিটলাৰে তেওঁৰ জন্মদিনৰ উৎসৱ উপলক্ষে উপহাৰ গ্ৰহণৰ পিছত নতুন জাৰ্ম্মাণ বিমান বিভাগৰ অধিনায়ক সকলৰ লগত "হেওশ্যেক" কৰিছে—সোফালে হিটলাৰ আৰু জেনেৰেল গোৱেৰিং।

ভূতপূৰ্ব্ব প্ৰেছিডেণ্ট ভন হিণ্ডেনবাৰ্গৰ পদত প্ৰতিষ্ঠিত হোৱাৰ পিছতেই হাৰ হিটলাৰৰ জন্মদিন উপলক্ষে পতা



হিটলাৰৰ জন্মদিন উপলক্ষে বৰ্লিনত উৎসৱ

এইটোৱেই প্ৰথম মহোৎসৱ। এই উৎসৱ উপলক্ষে তেখেতক মিলিটেৰী ফৌজৰপৰা প্ৰভূত সম্মান প্ৰদান কৰা হয়। ষ্টাকেনৰ বিমান-ঘাটিত নাজি ষ্টৰ্ম সৈন্যবিলাকে তেখেতক ২৭ খন সামৰিক আকাশীযান দান কৰে। জাৰ্ম্মেণীৰ ভেটাৰেন লীগৰ-পৰাও (Veterans' League) তেখেতে ৪১ খন আকাশীযান লাভ কৰে। মহামান্য পঞ্চম জৰ্জ্জেও হিটলাৰৰ এই জন্মদিন উৎসৱ উপলক্ষে তেখেতক অভিনন্দন জনাইছিল।

য়ুৰোপীয় তিৰোতা সমাজত ধেনু-কাঁড়

বৰ্ত্তমান যুগত উন্নত প্ৰণালীৰ নানা বস্তুৰ উদ্ভাৱন হোৱাৰ লগে লগে ধেনু-কাঁড়ৰ ব্যৱহাৰ সভ্য সমাজত লোপ পাবলৈ ওলাইছে। সুখৰ বিষয় ইয়াৰ ব্যৱহাৰ যাতে



ধেনু লৈ য়ুৰোপীয় মহিলা

লোপ নাপায় য়ুৰোপত তাৰ বাবে যত্ন লোৱা হৈছে। য়ুৰোপীয় সমাজত নানা খেলৰ প্ৰতিযোগিতাৰ দৰে ধেনু-কাঁড় খেলৰো প্ৰতিযোগিতা চলোৱা হয়—বিশেষকৈ তিৰোতা সমাজক এই ধেনু কাঁড় চলোৱা প্ৰতিযোগিতাৰ বিষয়ত বিশেষ উৎসাহ দিয়া হয়। লণ্ডন মহা নগৰীত তিৰোতাসকলৰ নিমিত্তে যিবোৰ 'জিমনাস্তিয়াম' (ব্যায়ামাগাৰ) আছে তাৰ প্ৰায় সকলো বিলাকতে 'কাঁড়মৰা' শিক্ষাৰ ব্যৱস্থা আছে। অকল লণ্ডনতে বোলে

এনে ধৰণৰ ৭০০ শমান তিৰোতাৰ ক্লাব আছে। তিৰোতা বিলাকক এই ধেনু-কাঁড় শিক্ষা বিষয়ত উৎসাহ দিবলৈ সম্ৰাজ্ঞী ভিক্টোৰীয়াই নিজে ধেনু-কাঁড় মাৰিবলৈ অভ্যাস কৰিছিল।



মহাৰাণী ভিক্টোৰীয়া

আবিছিনীয়াৰ বিৰুদ্ধে ইটালীৰ সমৰ সজ্জা

আফ্ৰিকাৰ আবিছিনীয়া দেশৰ সম্ৰাটৰ ওচৰত ইটালীৰ ফেস্টিষ্ট গৱৰ্ণমেণ্টে কেইটিমান দাবি উপস্থিত কৰিছিল। সেই দাবিৰ ভিতৰত আফ্ৰিকাত থকা ইটালীৰ উপনিবেশ ইৰিট্ৰিয়াৰপৰা আবিছিনীয়াৰ মাজেদি ইটালীৰ আন উপনিবেশ ইটালীয়ান ছোমালীলেণ্ডলৈ এটি ৰেলৰ আলি নিবলৈ বিচৰাও এটা।

পিছে সম্ৰাটৰ মতে বিদেশীয়ে এই আলি বান্ধিবলৈ সুবিধা পালেই অৱশেষত আবিছিনীয়া ৰাজ্য দখল কৰিবলৈ চেলু বিচাৰিব। বিদেশীয়ে এবাৰ আগ চোতাল মৰাব পাৰিলেই যে অৱশেষত বৰ ঘৰৰ বৰ গিৰীহঁত হবলৈ বিচাৰে সেইটো আমাৰ অসমীয়া মানুহে নাজানিলেও এতিয়াও একৰকম আধাসভ্য আবিছিনীয়াবাসীয়ে জানে। সেই নিমিত্তে আবিছিনীয়া গৱৰ্ণমেণ্টে ইটালীৰ মুছোলিনীৰ দাবি অস্বীকাৰ কৰিছে। কিন্তু ইটালীয়ে তেওঁলোকৰ দাবি স্বীকৃত নহলে যুদ্ধ কৰিবলৈ সকলো প্ৰকাৰৰ আয়োজন কৰিবলৈ লাগি গৈছে। মুঠ কথা, আফ্ৰিকাত নতুন উপনিবেশ পাতিবলৈ ইটালীয়ে মন কৰিছে। ইটালীৰ আশা—এই উপনিবেশ স্থাপন কৰিব পাৰিলে আবিছিনীয়াৰ ঐশ্বৰ্য্যেৰে ইটালী চহকী হব পাৰিব। ইটালীয়ানসকলে মুছোলিনীৰ ওপৰত আস্থা ৰাখিয়ে ফেস্টিষ্ট নীতি মানি লৈছিল; কিন্তু দেশৰ দাৰিদ্ৰ্য মুছোলিনীয়ে আঁতৰাব পৰা নাই। এতিয়া আবিছিনীয়াৰ ওপৰত আধিপত্য কৰিব পাৰিলেই জানোৱা ইটালীৰ অৱস্থা কিছু পৰিমাণে টনকিয়াল হয়—এই ভাবি মুছোলিনীয়ে আবিছিনীয়া জয় কৰিবলৈ যোগাৰ কৰিছে। ১৯১৪ চনত জন্মগ্ৰহণ কৰা সকলো সক্ষম লোককে সৈন্য বিভাগত যোগ দিবলৈ মুছোলিনীয়ে জনাইছে আৰু সেই মতে দলে দলে ডেকাসকল আহি দেশৰ সৈন্যদলত নাম ভৰ্ত্তি কৰিব লাগিছে।



ৰোম নগৰৰ ৰাজ আলিয়েদি মুছোলিনীৰ প্ৰতিমূৰ্ত্তি লৈ শোভাযাত্ৰা কৰি ডেকাসকলক সৈন্য দলত যোগদান কৰিবলৈ উদ্গণি দিয়া হৈছে।

আবিছিনীয়াৰ সম্ৰাটে বোলে অলপতে বহিবলগীয়া জাতিসঙ্ঘৰ কমিশ্যনাৰৰ নিৰ্দ্দেশ মানিবলৈ সাজু থকা বুলি জানাইছে। যিহক ইটালীৰ এনে সমৰ-সজ্জা দেখি সকলোৱে আবিছিনীয়া-ইটালীৰ মনোমালিন্যৰ পৰিণতিলৈ আগ্ৰহেৰে বাট চাইছে।

সংগ্ৰহ

প্ৰগতিৰ পথত বিহাৰৰ নাৰী

[পৰ্দ্দা-বৰ্জ্জন দিনত]

যোৱা ৮ জুলাই তাৰিখে পাটনাত পৰ্দ্দা-বৰ্জ্জন দিন উপলক্ষে কেগৰাকীমান সম্ভ্ৰান্ত বংশৰ মহিলাই সৰ্ব্বপ্ৰথমে অৱৰোধ প্ৰথা অমান্য কৰি স্বৰ্গীয় খ্যাতনামা পণ্ডিত ৰামাৱতাৰ শৰ্ম্মাৰ পত্নী শ্ৰীমতী ৰত্নৱতী দেৱীৰ সভানেত্ৰীত্বত সিংহ লাইব্ৰেৰী হলত অনুষ্ঠিত জন সভাত যোগদান কৰিছিল।

সভানেত্ৰীয়ে তেওঁৰ সুচিন্তিত বক্তৃতাত বিহাৰত পৰ্দ্দা-বৰ্জ্জন আন্দোলনৰ উৎপত্তি আৰু আৰম্ভনৰ ইতিহাস আলোচনা কৰি এই আন্দোলনত দ্বাৰভাঙ্গাৰ বাবু ৰামনন্দন মিশ্ৰ আৰু স্বৰ্গীয় মগন লাল গান্ধীৰ অদম্য কৰ্ম্ম শক্তিৰ কথা উল্লেখ কৰিছিল। দুখ লগা কথা, যে বিহাৰৰ অৱৰোধ প্ৰথা উচ্ছেদৰ মহৎ কাৰ্য্যত ব্যাপৃত থকাৰ সময়ত মগনলাল গান্ধীয়ে পৰলোক গমন কৰে। সভানেত্ৰী ডাঙ্গৰীয়ানীয়ে ইয়াৰ পিছত অৱৰোধ প্ৰথাৰ অপকাৰিতা বিশেষ ভাৱে বহলাই বৰ্ণনা কৰি এই সামাজিক কুপ্ৰথাটোৰ উচ্ছেদ সাধনৰ বাবে বদ্ধপৰিকৰ হবলৈ অনুৰোধ কৰে।

"পৰ্দ্দা প্ৰথাৰ পৰা নাৰী জাতিৰ স্বাস্থ্য হানি আৰু বুদ্ধি ভ্ৰংশ ঘটে; গতিকে এই সামাজিক কুপ্ৰথা অচিৰে উচ্ছেদ কৰিব লাগিব",—এই মৰ্ম্মে এটি প্ৰস্তাৱ উত্থাপন কৰি শ্ৰীমতী মনোৰমা দেৱীয়ে বন্ধন মুক্ত তুৰ্কী ৰমণী সকলৰ কথা উল্লেখ কৰে। তেওঁ কয় যে প্ৰাচীন ভাৰতত অৱৰোধ প্ৰথাৰ প্ৰচলন নাছিল। সীতা, সাৱিত্ৰী আদি প্ৰাচীন ভাৰতৰ মহীয়সী নাৰীসকল পৰ্দ্দাৰ আঁৰত অৱৰুদ্ধ নাছিল। মধ্যযুগত এই কুপ্ৰথা (বেহাৰত) আত্মপ্ৰকাশ কৰিছিল আৰু তেতিয়াৰ পৰা সমাজৰ চকুত নাৰীয়ে পূৰ্ব্বৰ মৰ্য্যাদা হেৰুৱাইছে। নাৰীয়ে পুৰুষৰ শক্তি আৰু প্ৰেৰণাৰ উৎস। সীতাহীন ৰামচৰিত্ৰ কেতিয়াও এনে উজ্জ্বল ৰেখাপাত হৈ ফুটি নুঠিলেহেঁতেন। এনেকি আশ্ৰমবাসী ঋষিসকলেও পত্নীৰ পৰা অফুৰন্ত অনুপ্ৰেৰণা লাভ কৰিছিল। গতিকে এই পৰ্দ্দা প্ৰথাৰ উচ্ছেদ অতি আৱশ্যক। যিমান দিনলৈকে এই পৰ্দ্দাৰ আৰত এজনীও তিৰোতা থাকিব সিমান দিনলৈকে বিহাৰত পৰ্দ্দা প্ৰথাৰ উচ্ছেদ সাধন হৈছে বুলি কলে নচলিব।

শ্ৰীমতী সুশীলা সামন্তে প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ গৈ কৈছিল যে সঙ্কল্পক কাৰ্য্যত পৰিণত নকৰি অকল কাকতে কলমে প্ৰস্তাৱ আদি সীমাবদ্ধ ৰাখিলে কোনো ফল নহব। তেওঁ পৰ্দ্দা প্ৰথাক নৰকৰ সৈতে তুলনা কৰে। পৰ্দ্দাৰ আৰত যে কিমান সামাজিক দুৰ্ণীতি পুঞ্জীভূত হৈ উঠিব ধৰিছে। নাৰীয়ে যদি অন্তঃপুৰত অৱৰুদ্ধ হৈ থাকি যায় তেনেহলে স্বাধীনতা স্বাধীনতা বুলি চিঞৰ বাখৰ কৰাৰ একো সাৰ্থকতা নাই। নাৰী মহাশক্তি। অৱৰুদ্ধ মাকৰ পুতেক প্ৰকৃত মানুহ হব কেনেকৈ! অৱশ্যে জন চেৰেকৰ ব্যতিক্ৰম দেখা যায়। কিন্তু এইটোৱে প্ৰকৃত কথা। পৰ্দ্দা প্ৰথাৰ ফলতে আজি দেশত অসংখ্য বিধৱা বিদ্যমান। ভগ্নস্বাস্থ্য মাকে দুৰ্ব্বল শিশু প্ৰসৱ কৰে আৰু এই দুৰ্ব্বল শিশু যে ভগ্নায়ু হব তাত আৰু বিচিত্ৰতা কি? তেওঁলোকে (পুৰুষ) নিজে আত্মৰক্ষাৰ সম্পূৰ্ণ অক্ষম হৈ পৰাৰ কাৰণে স্বামী, ভ্ৰাতা বা নিকট আত্মীয় স্বজনৰ চকুৰ আগতে দুৰ্ব্বৃত্তসকলে অবাধে নাৰী অপহৰণ কৰে।

পৰিশেষত শ্ৰীমতী সুশীলা সামন্ত মহাশয়াই কয় যে, তিৰোতা সকলক এনে শিক্ষা দিব লাগিব যাৰপৰা তেওঁলোকে উপাৰ্জ্জন কৰি নিজৰ ভৰণ-পোষণ কৰিবলৈ সক্ষম হয়। কোনো সংসাৰৰ একমাত্ৰ উপাৰ্জ্জনশীল পুৰুষ অকালত মৃত্যু হলে পৰিবাৰৰ তিৰোতাসকলৰ অনশনৰ বাজে আন কোনো পন্থা নাই।

শ্ৰীমতী চন্দ্ৰাৱতী দেৱীয়ে কয় যে ৮ বছৰ আগতে এটা পৰ্দ্দা বৰ্জ্জন সভাত মাথো তিনিজনী মহিলা উপস্থিত আছিল। কিন্তু আজি এই সভালৈ বহু ভদ্ৰমহিলাৰ সমাবেশত তেওঁৰ হৃদয় উৎফুল্ল হৈ উঠিছে। গণ্যমান্য পুৰুষেও সভাত বক্তৃতা দিয়ে।

ইউনাইটেড প্ৰেছ।

বিবিধ

কেইটামান প্ৰধান আবিষ্কাৰ আৰু তাৰ আবিষ্কাৰক

বীজ-গণিত.....ড্ৰেফেন্‌টাচ্ (Alexandria) ৪ৰ্থ শতাব্দী
বাইচাইকেল্.....জে, কেম্প ষ্টাৰলি (British) ১৮৮০
বোমা.....(Vanid) ১৪৯৫
চিগাৰেট.....(France) ১৭৯৯
ডিনামিট্.....আলফ্ৰেড্ নোবেল (Swedish) ১৮৬৭
ইলেকট্ৰিক্ লাইট.....স্যাৰ হামফ্ৰি ডেভি (British) ১৮৮০
তাতশাল (Flying sheettle) জন কি (British) ১৭৩৩
গেচ্ ইঞ্জিন.....জন বাৰ্‌বাৰ্ (British) ১৭৮০
গ্ৰামোফোন.....থমাচ্ আলভা এডিচন্ (American) ১৮৭৭
বন্দুক.....লৰ্ড আৰ্ম্‌স্ট্ৰণ্ড (British) ১৮৫৬
হোমিওপ্যাথি.....চেমুয়েল হানিম্যান (German) ১৮১০
চিনি.....এন্‌ড্ৰেচ্ মাৰ গ্ৰাফ্ (German) ১৭৪৭
চিতা বা টিকা (Vaccination) ডাঃ এডোৱাৰ্ড জেনাৰ (British) ১৭৯৬

* * * * *

তাচৰ জন্ম

ত্ৰয়োদশ শতাব্দীত য়ুৰোপৰ ভিতৰত প্ৰথমতে স্পেইনত তাচ (Playing card) আৱিষ্কৃত আৰু প্ৰচলিত হয়। খৃষ্ট শতাব্দীৰ ২০০ বছৰ আগতে চীনত তাচ প্ৰচলিত হোৱা বুলি বিজ্ঞ চীনাবিলাকে প্ৰমাণ কৰিছে।

বিয়াৰ বিষয়ত জাৰ্ম্মাণী

য়ুৰোপৰ ভিতৰত জাৰ্ম্মাণীত বিয়াৰ প্ৰচলন সৰহ। লোক সংখ্যাৰ ভিতৰত হাজাৰত দহটাকৈ বিয়া হয়।

* * * * *

শৰীৰৰ তেজৰ চলাচল

আমাৰ গাৰ তেজ গোটেই শৰীৰটোত চলাচল হৈ ঘূৰি আহি হৃদপিণ্ড (heart) পাওতে ১৫ চেকেণ্ড লাগে। এতেকে আমাৰ হৃদপিণ্ডৰ ভিতৰেদি মিনিটত চাৰিবাৰকৈ তেজ চলাচল কৰে।

চাৰি চকুৱা মাছ

দক্ষিণ মেক্সিকোত এবিধ মাছ পোৱা গৈছে। সেই মাছৰ চকু দুযোৰ। যেতিয়া সিহঁতে পানীৰ ওপৰৰ কাষে কাষে সাতুৰি থাকে, তেতিয়া এযোৰ চকু ব্যৱহাৰ কৰে—উপৰৰ ফালে চাবলৈ আৰু আন যোৰ ব্যৱহৃত হয় তললৈ চোৱা কাৰ্য্যত। ইয়াৰ উপৰ ফাললৈ চোৱা চকু যোৰক 'বতাহ চকু' আৰু তললৈ চোৱা যোৰক 'পানী চকু' বোলা হয়।

ইটা গঢ়োতাৰ কৃতিত্ব

হাল (Hall) নামৰ ঠাইৰ এজন ইটা গঢ়োতাই বাজি ৰাখি এঘণ্টাৰ ভিতৰত তিনি হেজাৰ ইটা গঢ়িছিল। কিন্তু বাণিজ্য সমিতিৰ (Trade union) সবাতো বেছি ইটা গঢ়াৰ হিচাব ঘণ্টাত মাত্ৰ তিনি শ হে।

নেজ নোহোৱা কুকুৰ

কিছুমান কুকুৰ আছে সিবিলাকৰ নেজ নাই। এনে নেজ নোহোৱা কুকুৰ হৈছে স্পেনিচ ব্ৰিটন (Spanish britons), হাঙ্গোৰিয়ান শেফাৰ্ড (Hungarian Shepherd) আদি জাতিৰ কুকুৰবিলাক।

* * * * *

মাৰ্ব্বল শীলৰ নগৰ

মাল্টা দেশৰ ৰাজধানী ভেলেটা (Veletta) নগৰ পৃথিবীৰ ভিতৰত এখন বৰ ধুনীয়া 'ঠাই'। এই নগৰৰ আটাইবিলাক অট্টালিকা মাৰ্ব্বল পাথৰেৰে সজা। এই নগৰত ধোৱা নাইবা কুৱলীৰ প্ৰকোপ নাই দেখি এই মাৰ্ব্বলৰ অট্টালিকাবিলাক সদায় নতুনৰ দৰে চকচকীয়া দেখা যায়।

পৃথিবীৰ চেঁচা ঠাই

পৃথিবীৰ ভিতৰত ওই-মেকন্ (oi-mekon in Siberia) আটাইতকৈ বেছি চেঁচা ঠাই বুলি পৰিগণিত হৈছে। ইয়াত সদায় বৰফ গোট খাই থাকে। আমাৰ ইয়াত বৰষুণ অনাৰ দৰে ওই-মেকনত বৰফৰে বৰষুণ হয়।

* * * * *

উপন্যাসিক স্কট

স্যাৰ ৱেলটৰ স্কটে (Sir Walter Scott) ৪৩ বছৰ বয়সত হে উপন্যাস লিখিবলৈ আৰম্ভ কৰে। ১৮ বছৰ বয়সত তেওঁ জীৱনী আদি লিখিব আৰু পঢ়িব ধৰিছিল।

* * * * *

প্ৰথম ছায়াচিত্ৰ

লুইজ্ লামিয়াৰে (Louis Lumeire) প্ৰথমতে প্যাৰিচত ছায়াচিত্ৰ আৱিষ্কাৰ কৰে। ১৮৯৫ চনত কিছু পৰিমাণে কৃতকাৰ্য্য হৈ ২০মিনিট তেওঁৰ প্ৰথম ছায়াচিত্ৰ দেখুৱাই সকলোকে স্তম্ভিত কৰিছিল।

কাল সংক্ষেপ

বহুত গৱেষণাৰ পিছত ঠিক কৰিছিল ৩৬৫ দিন ৬ ঘণ্টাত পৃথিবীৰ বাৰ্ষিক গতি এবাৰ পূৰ্ণ হয়, অৰ্থাৎ এবাৰ সূৰ্য্যৰ চাৰিওফালে ঘূৰি যি ঠাইৰ পৰা যাত্ৰা কৰিছিল সেই ঠাইলৈ উভতি আহে। পৃথিবীয়ে নিজ কক্ষত ঘূৰি থাকোতে একোটা সৰু সৰু পাক খাই যায়, তাতে ১৫ চেকেণ্ড কৰি আগবাঢ়ি গৈছে। এই হিচাবটো হিন্দু (আৰ্য্য) জ্যোতিষী সকলে কৰিব পৰা নাছিল বুলি পুহৰ সংক্ৰান্তিত পৰিৱৰ্ত্তন হব লগীয়া সূৰ্য্যৰ গতি অৰ্থাৎ উত্তৰায়ণ সংক্ৰান্তি বৰ্ত্তমানে দহ পুহতে হৈ যায়। সি যিহক এটা ঠিক হৈ গৈছিল। এতিয়া শুনিবলৈ পোৱা যায় যে, প্ৰতি এশ বছৰৰ মূৰত এক বছৰৰ দৈৰ্ঘ আধা চেকেণ্ড কম হৈ যায় (Each century the length of a year decreases by half a second)। এই নতুন তথ্যৰ আৱিষ্কৰ্ত্তা মিঃ ৱিলিয়াম বেল্ ডসন্ (Mr. William Bell Dawson)। তেওঁ কয় যে এতিয়া জ্যোতিষী বিলাকে স্বীকাৰ কৰিছে যে এবছৰৰ দৈৰ্ঘ ৩৬৫.২৪২১৯৮৭৯ দিন। মিঃ ডসনে কয় 'আমি ধৰি লব পাৰো যে দিনৰ অৰ্থাৎ এক অহোৰাত্ৰৰ দৈৰ্ঘ একে সমানে আছে (The length of the day is constant)। অন্তত ২৫ শতাব্দী অৰ্থাৎ ডানিয়েলৰ (Daniel) সময়ৰ পৰা আজিলৈকে একে সমানে চলি আছে। যি হক, যি কাৰণে এই সময়ৰ পৰিৱৰ্ত্তন বা দিনৰ দৈৰ্ঘতাৰ তাৰ-তম্য হয় তাৰ কাৰণ তেওঁ উল্লেখ কৰিছে যেনে :—

(১) সমুদ্ৰৰ পানী জোৱাৰৰ খুন্দা বা ঘহাঁ খোৱাৰ পৰা "ব্ৰেকে" ৰে, টানি ধৰাৰ নিচিনা হোৱাত পৃথিবীৰ ঘূৰাৰ জোৰ কিছু কম পৰে।

(২) পৰ্ব্বতবিলাক ক্ষয় হৈ যোৱাত আৰু গছ-গছনি নাইকিয়া হোৱাত বাধা কমি জোৰে ঘূৰিব পাৰে বাবে।

(৩) পৃথিবীৰ উত্তাপ কমি যোৱাত ভূপৃষ্ঠ সৰু হৈ যোৱাৰ বাবে।

কিন্তু এই সকলৰ ফলাফল অলপ কেই শতাব্দী চাই আৰু গণনা কৰি ঠিক কৰা অসম্ভৱ। বিজ্ঞান! তুমি জীয়াই থাকি অনন্ত কালৰ হিচাব কৰা।

বিদায়-পৰত

—মহম্মদ ৰায়হান ছাহ

যাবা যদি সচাঁকৈয়ে সিন্দুৰৰ ফোট মোৰ
মছি থৈ যোৱা তেনেহলে,
তাৰ আৰু নাই আৱশ্যক

তোমাৰ মৰমৰ গঁথা মালাধাৰিৰ
ফুল খহি যক তেনেহলে,
সূতাডালি মাথোন থাকক।

চকুৰ পানীৰে আৰু, ব্যৰ্থ প্ৰয়াসত মাথো।
অমঙ্গল নকৰোঁ তোমাৰ
সিও আজি যাওক শুকাই,

সিদিনা পিন্ধাই দিয়া হাতৰ আঙঠি মোৰ
নিয়া আজি সোলোকাই প্ৰিয়
তাৰো আজি অৰ্থ একো নাই।

কি কলাঁ, কি কলাঁ প্ৰিয়, সোঁৱৰণি বুলি মাথো
থব লাগে তুচ্ছ উপহাৰ?
চোৱা তেনে বুকু উদঙ্গাই,

তেজৰ আখৰে সতে, কেৱল তোমাৰে নাম
লিখা আছে অষ্টোত্তৰ শত
হিয়া মোৰ সমূলে জুৰাই।

তুমি কি বুজিবা এই, মিলনৰ ৰাজটীকা
অগ্নিশিখা হৈ কেনেকৈ
হাড়-মাংস নিয়ে ডেই পুৰি

পৰৰ দুখত হাঁহি, নীৰৱে গঞ্জনা দিয়া
কৌতুহলী চকুৱেও নিয়ে
হিয়া ছিঙি আঁজুৰি আঁজুৰি।

জলমল কৰি থকা এই আঙঠিৰ পৰা
উজ্জ্বল পোহৰ আহি এই
দুচকুত পৰেহি যেতিয়া

বতাহেও আহি যেন ব্যঙ্গ কৰি যায় কৈ
ব্যৰ্থ অভিসাৰ আজি তৱ
তেওঁ নাই, তেওঁ নাইকিয়া।

এই কুক্ষণত যদি বিৰহৰ যুগ মোৰ
উপস্থিত হয় তেনেহলে
বাহিৰৰ যত আভৰণ

শোক সাগৰত আজি জলাঞ্জলি কৰি দান
সোঁৱৰণি সাৱটি বুকত
সমাধিত থাকিম মগন।

শিৱসাগৰত অমৃত কাউৰৰ সম্বৰ্দ্ধনা



শ্ৰীযুত তাৰা প্ৰসাদ চলিহা দেৱৰ ঘৰৰ সম্মুখত শ্ৰীযুতা কাউৰ



সভাস্থলত অভিনন্দন পত্ৰৰ শৰাই আগবঢ়োৱা হৈছে



পুৰণি ৰংপুৰ কাৰেংৰ ওচৰত অমৃত কাউৰ



শ্ৰীযুতা কাউৰ সভালৈ অহাৰ সময়ত

দৃশ্য-কাব্য]

ছোৰাৰ-কস্তম্

—শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা বি-এ

কস্তম

তয়ে জানো সেই দুৰ্দ্দান্ত বালক তুৰ্ক বাহিনীৰ প্ৰথম বলি
ৰাজ্যৰ পিছত ৰাজ্য জয় কৰি অশাৰ দৰ্শত আহিছ ফুলি ?
পাৰস্য দেশত দৰ্প নেথাকিব অলপ পিছতে জানিবি তই
তোৰ আহ্লানত সেই বাৰে মাথো আগবাঢ়ি আজি আহিছো মই ।

ছোৰাৰ

তাৰ আগে' মোক দিয়া পৰিচয় তুমিয়ে নে সেই কস্তম বীৰ
যাৰ নাম শুনি সাত শত্ৰুৱেও দুৰতে পলায় দোৱাই শিৰ ?
যাৰ নাম লই ছোৰাৰ কোঁৱৰে ৰণলই নিতে বাঢ়িছে আগ
তুমিয়েনে সেই বীৰ চূড়ামণি, ইমান সহজে পালোনে লগ ?

কস্তম

ধিক্ তোৰ শিক্ষা ! মূৰ্খ শিশু তই, কস্তমক তোৰ ইমান ভয়
এই সাহসেৰে এই বীৰত্বেৰে কিদৰে বিচাৰি আহিছ জয় ?
কোন জননীক কলঙ্কিনী কৰি এহুৰা ভীকতা লভিলি দান
কস্তমৰ নাম কৰি উচ্চাৰণ ভয়তেই তোৰ কঁপিছে প্ৰাণ !

ছোৰাৰ

ক্ষান্ত হক জিভা ! তেহুৰা বচন মুখত নানিবা কদাপি তুমি
ছোৰাৰ জননী নোহে কলঙ্কিনী যাৰ পদ-ৰেণু আহিছো চুমি ।
যি জনা মাতৃৰ আশীৰ্ব্বাদ লই হেলাৰে জিনিলো শতেক বীৰ
সেই জননীক অপমান কৰি নোৱাবা ৰাখিব গৰ্ব্বিত শিৰ ।
স্বপ্নতো নিবলে ভীকতাৰ কথা নকৰো কল্পনা কদাপি মই
পাৰা পৰিচয় মোৰ বীৰত্বৰ, নেভাবিবা আজি লভিবা জয় ।
কস্তম নামত আছে কি মাধুৰী কি ভাব খেলিছে মনত মোৰ
পাৰস্যৰ সিংহ বীৰ কস্তমৰ তুমি কি বুজিবা মহিমাবোৰ !

কস্তম

নালাগে বুজাব কস্তম মহিমা শিশুৰ মুখৰ শুনলো কথা
পাৰস্যৰ আজি মহাশত্ৰু তই তোৰ প্ৰতি মোৰ নাই যে ব্যথা ।
পাৰস্যৰ পৰা আঁতৰি দূৰত চিস্তান্ বাজ্যত আছিলোঁ মই
সেই সুযোগতে আহি পালি তই, ভাবিছ কৰিবি পাৰস্য জয় ?

ইমান সহজে নুপুৰিব আশা অপূৰ্ণ থাকিব কামনা তোৰ
পাৰস্য গৌৰৱ থাকিব অটুট মিছাতে ভাঙিলি জিৰণি মোৰ।
জনমভূমিৰ দুৱাৰ মুখত নিদিওঁ বজাব বিজয় ভেৰী
বীৰৰ সন্তানে অস্ত্ৰৰ আগেৰে দিয়ে পৰিচয় গৌৰৱ কৰি।

ছোৰাব

বেছ কথা তেনে, দিম পৰিচয় অসাৰ দৰ্পৰ ভাঙিম চূড়া
পাৰস্য দেশৰ যশৰ কিৰিটি ভাঙি চিঙি আজি কৰিম গুৰা।
যি ৰাজ্য গঢ়োতে বীৰ ৰুস্তমৰ গল জীৱনৰ বহুতো দিন
সেই ৰাজ্য আজি ছাৰখাৰ কৰি বজাব ছোৰাবে ধ্বংসৰ বীণ।
চিনো চিনো কৰোঁ চিনিব নোৱাৰোঁ, তথাপি তোমাক যাচিছোঁ ভক্তি
গৰজি উঠিছে ৰুদ্ধ হৃদয়ত আকুল হিয়াৰ বিপুল শক্তি।
আঁহা আগবাঢ়ি সউ প্ৰান্তৰত পূৰ্ণ কৰোঁ মই বীৰৰ পণ
তৰোৱাল লই আলিঙ্গন কৰি দুয়ো জনে আমি কৰিম ৰণ।

ৰুস্তম

সেয়ে হক শিশু, তাকে দিম মই নহওঁ কৃপণ কৰিম ৰণ
হৃদয়ৰ পৰা মায়া-মমতাৰ চিগি যা বন্ধন, স্থিৰ হ মন।
দুনীয়াৰ স্বাৰ্থ হক এবে ব্যৰ্থ দেশৰ আহ্বান সৱাতো বৰ
ধ্বংস হক মোৰ দেশৰ অৰাতি আপোন হলেও তই যে পৰ!
বয়সত তই অতি কুমনীয়া যোগ্য প্ৰতিযোদ্ধা নহৱ মোৰ
বল তথাপিতো আহিলি যেতিয়া ৰণৰ পিয়াহ গুচাম তোৰ।

* * * * *

পট পৰিবৰ্ত্তন

ছোৰাব

কিয় হেৰা বীৰ, অবনত শিৰ বাৰে বাৰে মাথোঁ ঘাটিলা তুমি
বুজিলা নে এবে কেনেকুৱা মোৰ বীৰ-প্ৰসৱিনী জনমভূমি?
মোৰ জন্মভূমি বাইৰান দেশ যাৰ নাম লই গৌৰৱ কৰোঁ
আকাৰত সৰু প্ৰকাৰত বৰ জন্মো যেন তাতে যদিহে মৰো।
চিনিলা নে আজি মোৰ জননীক যাৰ পুত্ৰ মই নহওঁ ভীৰু,
হাঁহি হাঁহি মই জিনিলো তোমাক, নকৰানে বাৰু ফিতাহি আৰু?
ইচ্ছা কৰা হলে মোৰ তৰোৱালে এতেবেলি বীৰ, বিদাৰি প্ৰাণ
নাচিলেহেঁতেন বুকুত তোমাৰ কৰিলেহেঁতেন তেজত স্নান।
কাটিলো তোমাৰ শিৰৰ মুকুট বীৰত্বৰ যশ কৰিলো ম্লান
নকৰানে বাৰু উপহাস আৰু, নেহানানে চোকা বিদ্ৰূপ বাণ?

ৰুস্তম

জীৱনত মোৰ এনে পৰাজয় আজিয়ে প্ৰথম, আজিয়ে শেষ
এটি বাৰ মাথো হল পৰাজিতা গৌৰৱ মণ্ডিতা পাৰস্য দেশ!
নেভাবিবি তই দুৰন্ত বালক, দুনাই জিনিব পাৰিবি মোক
এই শেলে মোৰ দিব প্ৰতিশোধ দেখা যক কোনে ৰাখিব তোক?

ছোৰাব

কি কৰিলি তই হেৰ বেইমান, অপ্ৰস্তুত মোক ইদৰে মাৰি
বীৰৰ নামত কলঙ্ক সানিলি নিৰস্ত্ৰ শত্ৰুক আঘাত কৰি?
অকলশৰীয়া বীৰ সন্তানক বধিলি পাষণ্ড, সুযোগ চাই
জগত বিজয়ী ৰুস্তম পিতাই নকৰিব ক্ষমা কদাপি হায়!
ক'ত আজি তুমি জনক ৰুস্তম, তোমাৰ পুত্ৰৰ এনুৱা দশা
নেদেখিলো মই চৰণ তোমাৰ মনতে থাকিল মনৰ আশা!

ৰুস্তম

কি কলি সোণাই, কচোন দুনাই ৰুস্তম কিদৰে জনক তোৰ
ৰুস্তমৰ দেখো পুত্ৰ হোৱা নাই বাঢ়িছে মনত সন্দেহ ঘোৰ।
কন্যা এটি হেনো আছে ৰুস্তমৰ সেয়েহে মাথোন খোদাৰ দান,
অন্তিম কালত দুখ দেখি তোৰ বেজাৰতে মোৰ কান্দিছে প্ৰাণ।

ছোৰাব

যি শুনিছা তুমি মিছা কথা মাথোঁ, ৰুস্তমৰ পুত্ৰ ছোৰাব মই
জননীয়ে মোৰ পিতাক ছলিলে অপত্য স্নেহত বন্দিনী হই।
কন্যা হোৱা বুলি বাতৰি পঠাই বুকুত সাৱটি ৰাখিলে মোক,
করুণা ৰূপিনী সেই যে জননী নেদেখিলো হায় আজি যে তোক!
নিষ্ঠুৰ পিতাই এৰি গল তোক আহিম বুলিও নাহিল ঘূৰি
পিতৃ অন্বেষণ নহল পূৰণ জীৱ-পখী মোৰ যায় যে উৰি!

ৰুস্তম

আছে জানো কিবা পৰিচয় চিন বীৰ ৰুস্তমৰ পুত্ৰৰ গাত
দেখা পালে যাক চিনিব ৰুস্তমে বংশৰ গৌৰৱ আছেনে তাত?

ছোৰাব

যি দিনা আমাৰ ককাদেউতাৰ জীৱন ৰাখিলে যতন কৰি
শগুণ চৰাই আমাৰ বংশত অতি পূজনীয় সিদিন ধৰি।
পিতৃ-নিৰ্দ্দেশত বাহুত অঙ্কিত ৰঙা শগুণৰ পৱিত্ৰ চিত্ৰ
চাব খোজা যদি চাব পাৰা তুমি—শগুণ আমাৰ পৰম মিত্ৰ।

ৰুস্তম

নালাগে, নালাগে, বুজিলো সকলো ময়ে তোৰ সেই নিষ্ঠুৰ পিতৃ
নিজৰ বুকুতে কুঠাৰ বহালো পুত্ৰহীনা হল দুখুনী মাতৃ।
পুত্ৰহীন হল অধম ৰুস্তম নিজকে কৰিলো নিৰ্ব্বংশ হায়
বীৰ তনয়ৰ মোল নুবুজিলো হেৰুৱালো তোক হাততে পাই!

বীৰত্বৰ তোৰ বাঢ়িল মহিমা কলঙ্ক কালিমা ভাগত মোৰ
তোৰ জননীক পৰিত্যাগ কৰা, ইদৰেই পুত্ৰ, তুলিলি হোৰ !
আমুদৰিয়াৰ কপালি বালিত শতুৰু শালিলে নিৰ্ম্মল কালে
কোন জনমৰ অভিশাপ লই ৰাক্ষস ৰুস্তমে পুত্ৰক খালে ?
কোন কুক্ষণত আহিলো ওলাই কৰিলো অন্যায় সমৰ সজ্জা।
যুগ-যুগান্তৰ পাপী ৰুস্তমৰ ৰব ই কলঙ্ক, ৰব ই লজ্জা !
হে আমুদৰিয়া, পুণ্য প্ৰৱাহিনী, চকু মুদি যাবি ইফালে চাই
কোমল বুকুৰ তপত তেজেৰে বুৰি গল পাৰ হঠাতে হায় !
দেশ-বিদেশত এই কাহিনীৰ নবজাবি বীণ, নকৰি কথা
সাতো সাগৰৰ পানী ঢালিলেও নুনুমায় জুই নুগুচে ব্যথা।
আঁতৰতে ৰই চকুলো টুকিছ প্ৰিয় অশ্ব মোৰ ৰুক্‌স তই
কিদৰে নুমাম এই জীয়া জুই হে মোৰ বান্ধৱ, দিবিনে কই ?
তয়েই নিছিলি নজনা দেশত ৰাজকুঁৱৰীৰ সন্ধান লই
সেই কুঁৱৰীক দান দি আহিলো এই পুত্ৰ-ধন ৰঙেৰে মই।
আজি পুনু হায় তোৰ পিঠিতেই উঠি আহি মই কৰিলো ৰণ,
আপোন হাতেৰে পুত্ৰক বধিলো এটি মাথো হায় বংশৰ ধন !
মোৰ কাৰ্য্য দেখি সউ বেলিটিয়ে লাজতে নিজকে ৰাঙলী কৰি
পশ্চিম আকাশ তেজেৰে বোলালে এই ফালে হায় নেচালে ঘূৰি !

ছোৰাব

নেকান্দিবা পিতা, ভাগ্যৱান মই পদ-ধূলি মোৰ শিৰত দিয়া
অযোগ্য নহলো তোমাৰ তনয় সেই গৰ্ব্বে মোৰ নাচিছে হিয়া।
তোমাৰ হাতত জীৱন উছৰ্গি মৰণতো মোৰ বেজাৰ নাই
বেহস্তত মই আল্লাৰ কাষত লভিম জিৰণি সুখৰ ঠাই।

ৰুস্তম

পৃথিবীৰ তোৰ নিষ্ঠুৰ পিতাই অনাদৰ কৰি মাৰিলে তোক
জগত পিতাই কৰিব আদৰ যাচিব আনন্দ গুচাব শোক।
উঠ মোৰ পুত্ৰ, আকউ এবাৰ বীৰ বিক্ৰমেৰে বাহিনী সজা।
হত্যা কৰ এই ভীৰু ৰুস্তমক উৰুৱাই তোৰ বিজয় ধ্বজা।

ছোৰাব

মাগিলো বিদায়, অসহ্য পলম মিছাতে অযথা আক্ষেপ কিয়
আলহী ঘৰৰ মমতা এৰিলো, মুক্ত হই যাওঁ অমৰ জীৱ।
হে মোৰ দেৱতা, পূজনীয় পিতা ভুৱন বিজয়ী পাৰস্য বীৰ
তোমাৰ কোলাত মূৰ থই আজি যাচিছে পুত্ৰই ভকতি নীৰ।
মৰমৰ মোৰ তুৰ্ক বাহিনীক কৰিবা আদৰ শত্ৰুতা ভুলি
দুখুনী মাতৃক কৰিবা গ্ৰহণ আকউ এবাৰ নিজৰ বুলি।
ভৱ-সাগৰৰ কাণ্ডাৰীয়ে মোৰ পাৰত চপায় জীৱন নাও
বজোৱা তোমাৰ ৰণৰ বাজনা তাকে শুনি মই টোপনি যাওঁ।

"টাইগাৰ হিল"ৰ ওপৰত আৰু এঘণ্টা

—শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা বি-এ

মোৰ দাৰ্জ্জিলিং ভ্ৰমণৰ এপষৰ ভিতৰত যদিও মই "চিকিম ৰাজ্যত এভুমকি" মাৰি মনত অত্যন্ত সন্তোষ পাইছিলো তথাপি মোৰ অন্তৰ ফিৰি অহাৰ দুদিনৰ আগলৈকে এটা অসন্তোষৰ ভাৱেৰে আবৰি ধৰিছিল। মনে ধৰিছিল, যেন মোৰ ভ্ৰমণ কাৰ্য্য অসম্পূৰ্ণ হৈ ৰ'ল। ক্ষোভ হৈছিল, যেন মোৰ কিবা এটা কাম কৰিবলৈ বাকী থাকিল। এই ভাৱ লৈয়েই মোৰ মন উগুল-থুগুল অৱস্থাত থাকিব লগা হৈছিল আৰু মাজে মাজে বেজাৰৰ হুমনীয়া কাঢ়িব লগাতে পৰিছিলোঁ।

এই সকলোবোৰ মানসিক অশান্তিৰ কাৰণ আছিল—পৃথিৱী ভিতৰতে এটা চাব লগীয়া ধুনীয়া বস্তু চাবৰ সুবিধা কৰিব নোৱাৰি। তাতোকৈ হতাশ হৈছিলো—সেই বস্তুটোৰ সৌন্দৰ্য্য উপভোগৰ কোনো আগন্তুক আশাও নথকাৰ কাৰণে। সেই চাবলগীয়া বস্তুটি হৈছে—দাৰ্জ্জিলিঙৰ পৰা প্ৰায় ৫।৬ মাইলমান দূৰৈত থকা 'টাইগাৰ হিল'ৰ পৰা দেখিবলৈ পোৱা সূৰ্য্যোদয়ৰ মনমোহা দৃশ্য ! মানুহে কয় যে পৃথিৱীৰ নানা ঠাইৰ পৰা মানুহ আহি সেই "টাইগাৰ হিল"ৰ পৰা দেখা সূৰ্য্যোদয়ৰ অতুলনীয় দৃশ্য চাই গৈ পৃথিৱীৰ ভিতৰত তেনে দৃশ্য অন্য ঠাইত দেখিবলৈ পোৱা বিৰল বুলি হেনো কয়। দিনে দিনে নানা ঠাইৰ মানুহে সেই পৰ্ব্বতৰ টিলালৈ গৈ তেনে দৃশ্য চাবলৈ ৰৈ থাকে। কেতিয়াবা দেখিবলৈ পায় আৰু কেতিয়াবা হতাশ হৈ ফিৰি আহিব লগাত পৰে।

এফালে যেনেদৰে দাৰ্জ্জিলিঙৰ বন্ধু বান্ধৱ, চিনা-জনা মানুহ মাত্ৰেই সেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ গুণ গৰিমা বখানি মোক উত্ৰাৱল কৰি তুলিছিল ঠিক তেনেদৰেই অন্যফালে তেওঁলোকেই দৃশ্য চাবলৈ পোৱা-নোপোৱা সন্দেহৰ ঠাউনি নোপোৱা পুখুৰীত পেলাই কক্‌বকাই পানী খুৱাই নগুৰ-নাস্তি কৰিছিল। কাৰণ বতৰ ফৰকাল নহলে সেই মনোৰম দৃশ্য দেখিবলৈ পোৱা নাযায় আৰু ইফালে পিছদিনা পুৱা বতৰ ফৰকাল হয়নে নহয় তাৰো উয়াদিহ পোৱা টান। সেই কাৰণে ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি থাপ মাৰি কামটি কৰাৰ বাহিৰে অন্য একো দিহা নাই। কতই অনেক দুঃখ কষ্ট কৰিও আগদিনা ৰাতিতে উঠি গৈ ৰাতিটো থাপ দিও পিছদিনা ডাৱৰীয়া বতৰ দেখি হতাশ হৈ আহিব লগাত পৰে ! আৰু অনেকে হয়তো থাপ মাৰি এদিন গৈ নিজ ভাগ্যৰ বলত সকলো দৃশ্য চাই উপভোগ কৰি আহেগৈ।



টাইগাৰ হিলৰ পৰা দেখা সূৰ্য্যোদয়ৰ অলপ পিছত হোৱা দৃশ্য—বেলিটো লাহে লাহে ওপৰলৈ উঠিছে।

মই যদিও অনিশ্চিত হৈ আশা নিৰাশাৰ মাজেদি লুটি-বাগৰ মাৰি ফুৰিছিলো তথাপি আকাঙ্খিত কামনা পূৰণ হয় নহয় তালৈ নাভাবি অন্ততঃ মনৰ হেপাহ পলুৱাবৰ কাৰণেই এদিন তাত এটা পাক মাৰি আহিবৰ মন এৰা নাছিলো। নিৰাশাৰ মাজেদিয়েই আশাৰ বেণু বজাই মই

এদিন উক্ত ঠাইলৈ যাবলৈ ঠিক কৰিলোঁ। ২২ তাং সোমবাৰে অনেক দুখ-ভাগৰৰ মাজেদি চিকিম বাজাৰ পৰা ঘুৰি আহিও মোৰ সেই উদ্যম কমা নাছিল—মনত



"টাইগাৰ হিল"ৰ পৰা সূর্য্যোদয়ৰ লগে লগে তোলা দৃশ্য—সূর্য্য উদয় হওঁতেই এনে দৃশ্য দেখা যায়।

অত্যন্ত ধান্দা কেতিয়া কেনেকৈ সেই অসম্পূর্ণ ভ্রমণ সম্পূর্ণ কৰোঁ। ইফালে হাতত আছে মুঠেই দুদিন। অর্থাৎ মঙ্গলবাৰ এৰি বুধবাৰে কলেজলৈ বাওনা হওঁ লাগিব তেহে বৃহস্পতিবাৰে কলেজ কৰিব পাৰিম। পিছে সোমবাৰে গা বৰ ভাগৰ লাগি থকাত মঙ্গলবাৰে যাবলৈ সাহ নকৰিলোঁ। তাৰ পিছ দিনা বুধবাৰেই যাবলৈ মন কৰিলো আৰু সেই ইচ্ছা বাইদেউ ভিনীদেউ আৰু মিঃ দত্তৰ আগত দেকত কৰিলো। মোৰ একান্ত ইচ্ছাৰ বিৰুদ্ধে থিয় দি তেখেত সকলে মোক বাধা দিব নুযুজিলে। মহা অকলসৰেই যাবলৈ ওলালো।

"টাইগাৰ হিল"ৰ পৰা সূর্য্যোদয়ৰ দৃশ্য পুৱা দোকমোকালিত চল গোহৰতে চাব নোৱাৰিলে দেখিকৈ গলে একো দেখা পোৱা নাযায়। সূর্য্য পূব গগণৰ পৰা ওলাই অহাৰ প্ৰায় আধা ঘণ্টা মানৰ আগৰে পৰা সেই দৃশ্য চাব লগীয়া। সাতে পাচে প্ৰায় ৯। ৰাও মান বজাৰ ভিতৰতে সেই ঠাইত উপস্থিত থাকিব নোৱাৰিলে অচল দৃশ্য সম্পূর্ণৰূপে দেখিবলৈ পোৱা নাযায়। দার্জ্জিলিঙৰ পৰা সেই ভোৰৰ বাট খোজ কাঢ়ি যাবলৈ হলে বাতি দুই বা আঢ়ৈ মান বজাত বাওনা নহলে দেখিবৈকে পোৱা হ'ব আৰু সেই কাৰণে বাতিতে বাওনা হোৱা ঠিক কৰিলো।

লগত ললো আমাৰ শ্ৰী ধৰ্ম্মকান্ত বাপুটিক আৰু ঘৰৰ কুকুৰাটিক, বাটত যাবলৈ লগত দুটামান "এগোৰা" ললো; আৰু ঠিক আঢ়ৈ বজাত আমি জোনাক বাতি আগত লৈ হাবিৰ মাজে মাজে গজং গজং কৰি যাবলৈ ধৰিলো।

এনেই পাহাৰতলীয়া বাট তাতে আকৌ বাতিৰ মৰণ-ক্ষণত বাহিৰ হৈছো। গছৰ মাজে মাজে সিচৰতি হৈ পৰা, কৃষ্ণপক্ষৰ ক্ষীণ জোনাকৰ কিৰণে এফালে যেনেকৈ অন্ধকাৰ আঁতৰাই পেলাইছে ঠিক তেনেকৈয়ে অন্যফালে চকা মকা এন্ধাৰ পোহৰৰ চকমকনিয়ে প্ৰতিথোজে এটি সংকোচৰ ভাব উদয় কৰাইছিল। তাতে আকৌ নিজান নিতাল গহীন বাতি! মাজে মাজে অ'ত ত'ত এটা দুটা নিশাচৰ চৰায়ে কু-কা কৰি উঠিছে। গছৰ ডালত পৰি ঠাইে ঠাইে বাতি বিত চকু ধাৱণ কৰা নিয়তি চৰায়ে "মৰ মৰ" কৰি ভয়াবহ মাত মাতি উঠিছে আৰু ঠাইে ঠাইে সেই একে ফেচাই কুকলি মাৰি পোহৰৰ ফান দিছে। কৰবাত আকৌ সেই বহুৰূপী নিয়তি চৰায়েই "চোৰ



'টাইগাৰ হিল"ৰ পৰা সূর্য্যোদয়ৰ সময়ত দেখা অকমকাই থকা উঁচ কিটা :—

(১) ফালুট (T. 45) উঁচ—১১৪১০ ফুট।
(২) লৌহশৃঙ্গ (Everest Mt)—২৯০০২ ফুট।
(৩) মাকলু (Makalu)—২৭৭০০ ফুট।

চোৰ" বুলি নিৰপৰাধী প্ৰাণীকো চকু গুৰাই তুলিছো। এইবোৰৰ লগে লগে অনবৰত জি জি কৰি থকা ঝিলি আইটিয়ে নিজান বাটৰ গহিনতাৰ মাজেদি চিকনৰত কাণ তাল মাৰি দিয়াইছে। আমাৰ লগত নিয়া প্ৰভুভক্ত কুকুৰ-

টিয়েও ঠাইে ঠাইে চকুবাই উঠি থমক মাৰি বৈ যায়—যেনিবা কিবা শত্রুৰ আগমণৰ আগজাননী হে দিব খুজিছে। এনে ধৰণৰ সংকোচৰ মাজেদি থমকি থমকি বৈ ইফালে সিফালে চাই যোৱাৰ লগে লগে মাজে সময়ে অন্তৰত ভয় ভাবো সোমাইছিল। কাৰণ তেনে হেন বাতি বিদেশত পাহাৰ তলীয়া বাটেদি কেৱল দুটা প্ৰাণীয়ে বিনা অস্ত্ৰে আৰু বাটৰ উৱাদিহ নজনাকৈ যোৱা মোৰ জীৱনত সেইেই প্ৰথম। তাতে আকৌ আমাৰ চঞ্চল এজনেও আছল বাটটি চিনি নাপাওঁচক। ইফালে ঠাইে ঠাইে পৰ্ব্বতৰ থিয় গৰা দেখিলে জীৱ উৰি যায় যেন লাগে। এনে অৱস্থাৰ মাজেদিেই মনৰ অত্যন্ত প্ৰেৰণা আৰু উচ্চমনেৰে খোজৰ ওপৰত খোজ দি যাবলৈ ধৰিলো। আগত আছে লক্ষ্য, পিছত পৰি গৈছে ভাগৰ। তাৰ মাজে মাজে আকাঙ্খিত বস্তুৰ প্ৰাপ্তিত থকা সন্দেহৰ



অলঙ্কাৰ আদিৰে হুলজ্জিত নেপালী ছোৱালী

অশান্তি। এই তিতা-মিঠাৰ মাজেদি মনে লুট-বাগৰ মাৰি নিজৰ নিৰ্দ্দিষ্ট পথলৈ আগ বাঢ়িছো, যেনিবা শৰীৰটিক কিবা এটা লুপ্ত শক্তিয়ে টানিহে নিছে। মহা মনমুগ্ধ হোৱাৰ দৰে ভেড়া হৈ গৈ আছো—কব নোৱাৰোঁ কেতিয়া গৈ কত ওলাওঁগৈ।

এইদৰেই এমাইল গলো—চমাইল গলো—আৰু গৈ তিন মাইলো পাৰ হলোগৈ। তেতিয়া এন্ধাৰতলীয়া



সুমত থকা আদৰ বুঢ়ী বেজনী—এই বেজনীয়ে মনৰ বলত নানা অস্বাভাৱিক কাৰ্য্য কৰাব পাৰে।

পাহাৰীয়া বাটটি ঠাইতে এটা পাক লৈছেগৈ আৰু লাহে লাহে তললৈ নামি মোৰা যেন গম পালোঁ। ওচৰত দুই এটা ঘৰ দেখিবলৈ পালো; আমাৰ ভৰি গছৰ গাতত লাগি শব্দ কৰাৰ লগে লগে আৰু কুকুৰৰ জাতি শত্রু আমাৰ লগত যোৱা কুকুৰটো দেখি সেই ঘৰ নিশাতে গৃহস্থৰ ঘৰৰ কুকুৰবোৰে বৌ বৌৱাবলৈ ধৰিলে। পুৱাৰ টোপনিৰ ভৰ পকৰ সময়ত কুকুৰৰ মাত শুনি সাৰ পোৱা গিৰীইতে চাগৈ আমাক যিমান পাৰে শাও-গালি দিছিল—এনেহেন বাতিনো কোন এই জহনিয়ে যোৱা কিটাই বাতি অহা যোৱা কৰিব লাগিছে—এইদৰে বুলি। আমি অলপ দূৰলৈগৈেই দেখো যে ঘুম (ghum) ষ্টেছনটো পাইছোগৈ। ফটকটীয়া জোনাকৰ পোহৰলৈ ঘড়ীটি উলিয়াই চাই কোনোমতে দেখো যে চাৰে তিনি বাজিল। এঘণ্টাত কেৱল চাৰি মাইলহে আহিলো।

ঘুম পাৰ হৈয়েই বজাৰৰ মাজেদি কিছুদূৰ গৈ আকৌ এটি পাহাৰ বগাব লাগে। এই পাহাৰ বগাই গৈ তাৰ পিছৰ পাহাৰটোত উঠিলেহে আমাৰ নিৰ্দ্দিষ্ট ঠাই পোৱা যাব। প্ৰথম পাহাৰটোৱে মই আগেয়ে এদিন ফুৰিবলৈ যোৱা চেনচল (Sanchal) পাহাৰ। এই পাহাৰটো-লৈকে, যোৱা বাট মই জানো—চমু বাট এটাও চিনি পাও! সেই বাটৰ মূৰতে আমি দুখনমান টেক্সী মটৰ গাৰী ৰৈ থকা দেখি ভাবিলো আমাৰ দৰেই অন্য কোনো যাত্ৰীয়ে উক্ত দৃশ্য চাবলৈ গৈছে। মটৰ গাৰীকেইখন



ভুটীয়া তিৰোতাই গাধৰ ওপৰত মানুহ তুলি পইছা ঘটে

দেখি আমাৰ ভাল লাগিছিল হয় পিছে আমি পাছ পৰি যোৱাৰ কাৰণে সেইদৰেই অত্যন্ত বেয়াও লাগিছিল, কিজানি আমি ঠিক সময়ত নাপাও গৈয়েই। এই বিষয়ে হাতত থকা ঘড়ীয়েও আমাক শান্ত্বনা দিব নোৱাৰিছিল। আমি সেই কাৰণে উধাতু খাই লৰা-লৰিকৈ যাবলৈ ধৰিলো।

অলপ দূৰ গৈয়েই কিছুমান গুৱালে কান্ধত ভাৰ লৈ গাখীৰ অনা লগ পালো। তাহাতে ওচৰত থকা 'কেভেণ্ডাৰ ডায়েৰী'ৰ পৰা সেই গাখীৰ দাৰ্জ্জিলিং চহৰলৈ বেচিবলৈ আহিছে। তাহাতক দেখি আমি ধৈৰ্য্যচ্যুত হৈ পৰিলো—কিজানি ৰাতি পুৱাবৰ সময় হ'লেই—ইমান দূৰ দুঃখ কষ্ট কৰি আহি মুৰামুৰি সময়ত গৈ দেখিবলৈ নাপালে কি হব, ইয়াকে ভাবি। তেতিয়া মই নেপালী কিটাক 'টাইগৰ হিল'লৈ কিমান দূৰ আছে আৰু ঠিক সময়ত পোৱা যাবনে আদি সুধিলো। তাহাতে কলে যে আমি ঠিক সময়তে পামগৈ, লগতে কোন ফালে যাব লাগে তাৰ দিক দেখুৱাই দিলে। আমি সেইদিশেই যাবলৈ ধৰিলো; কিন্তু মনৰ সন্দেহ আৰু উগুল খুগুল ভাব আঁতৰা নই। সেই অনিশ্চিত অশান্তিপূৰ্ণ মনেৰেই গৈ গৈ আমি 'চেনচল' পালোগৈ আৰু তাৰ ওচৰতে থকা ডাক বঙলাটো পাই তাতে এদিন স্কাউটৰ লগত বনভোজ খোৱাৰ কথা শ্ৰীধৰ্ম্মকান্ত বাপুটিক কৈ ঠাইডোখৰ দেখুৱালো। আগেয়ে বৰ্ণনা কৰি অহামতে চেনচলৰ সিমানলৈকেহে মই গৈছিলো। তাৰ পৰা 'টাইগাৰ হিললৈ' যোৱা বাটৰ মোৰ কোনো ধাৰণা নাছিল। এনেই ৰাতি তাতে আকৌ বাট চিনি নাপাওঁ। সাতে পাচে বৰ বিপাঙত পৰিলো। তথাপি মনত বল লৈ আগত অদম্য উৎসাহক সাৰথি কৰি আগ বাঢ়িলো। অলপ দূৰ গৈয়েই এটা চমু লুঙলুঙিয়া বাট দেখিলো আৰু সেই বাটেদিয়েই গৈ 'গল্‌ফ্‌' (golf) খেলাৰ পথাৰখন দেখা পালো। সেই পথাৰ পাৰহৈয়েই আমি বৰ বিপাঙত পৰিলো। পথাৰৰ মূৰৰ পৰাই টাইগাৰ হিলৰ সীমা আৰম্ভ হৈছে। আমি সেই সীমা পোৱাৰ লগে লগে বহুত দূৰৈত এটা চাকিৰ পোহৰ দেখিবলৈ পালো। পোহৰটো দেখিয়েই বাপুটিয়ে চিঞৰ মাৰি উঠিল—"বেলি ওলালেই" কথাষাৰ শুনি গা চিৰিং কৰি গল। দুঃখ কষ্ট, উদ্যম সকলো এতিয়া মুৰামুৰি সময়ত অথলে যাবনে কি? ইমান দূৰ কষ্ট সাগৰত ভাহি আহি পাৰ পোৱাৰ সময়তেই ডুবি মৰিমনেকি? এনে ভাবনা চিন্তাত যদিও ক্ষন্তেকৰ কাৰণে আকুল হৈ পৰিছিলো তথাপি বাপুটিৰ কথা পেংলাই কৰি উৰাই দিছিলো কিজানি তেনেদৰে কৰিলে মনটো ভালেই লাগে। সৌভাগ্যৰ বিষয়, অলপ সময়ৰ ভিতৰতে আমাৰ ভুল আমি গম পালো—সেই পোহৰ বেলিৰ পোহৰ নহয়, একুৰা ডাঙৰ জোৰৰহে পোহৰ। তেতিয়া মনত অপাৰ আনন্দ লাগিবলৈ ধৰিলে আৰু খোজৰ ওপৰত খোজ দি আগ বাঢ়িবলৈ ধৰিলো।

তাৰ পৰা অলপ দূৰ গৈয়েই পাহাৰটো বগাবৰ সময়তেই আমি আমাৰ লগত অহা লুঙলুঙিয়া বাটটো হঠাতে হেৰুৱাই পেলালো। অনেক চেষ্টা কৰিও বাট উলিয়াব নোৱাৰিলো। হতাশ হৈ পৰিলো আৰু লগে লগে ভাগৰেও আক্ৰমণ কৰিবলৈ ধৰিলে। পৰ্ব্বতৰ নামনিৰ গছৰ আঁৰত জোনটো সোমোৱাৰ কাৰণে জোনৰ পোহৰেও আমাক সহায় কৰিব নোৱাৰিলে। উপায় ৰহিত। মই তেতিয়া আগ পাছ নাভাবি যেনিয়ে পাওঁ তেনিয়ে ওপৰলৈ উঠিবলৈ বুলি হাবি ভাঙি আগবাঢ়ি গলো আৰু হাবিৰ সৰু গছৰ ডাল আৰু বিৰিঙনিত ধৰিয়েই উঠিবলৈ ধৰিলো—উঠিছিলো হয়; কিন্তু কব পৰা নাছিলো ক'ত ওলামগৈ। ইতিমধ্যতে পৰ্ব্বতৰ ওপৰত হাই উৰুমি শুনিবলৈ ধৰিলো; সকলোৱে হুই-হা কৰি কিবাবোৰ গোৱা যেন শুনিলোঁ। হ'ল মনটো ভীষণ অধৈৰ্য্য আৰু চঞ্চল! কিজানি আকৌ বেলিটো ওলালেই আৰু সেই বেলি ওলোৱা দেখিহে ওপৰত তেনে হাই উৰুমি হৈছে। এফালে যেনে দৰে বেত আচোৰা কাঁইটৰ বাকৰিয়নিয়ে ভৰিয়ে গায়ে আঁকি মঙ্গল চাব ধৰিছে। সিফালে তেনেদৰে অতি চঞ্চল মনটোৱেও ঢাকুৰি ২ মৰিব লাগিছে। এই দুই সংগ্ৰামত সোমাই মোৰ অন্তৰেও জলাকলা খাইছে। এইদৰে হাবি ভাঙি গৈ যেনিবা আচল আলিটোকেই পালো। তেতিয়া আমাৰ মুখত পানী আহিল আৰু উলাহতে নাচিবলৈ ধৰিলো। নিৰাশাৰ চিলমিলনিৰ মাজেদি আশাৰ জিলিকনি দেখি ভাল লাগিল আৰু যিমান পাৰো খোজ বঢ়াই দি আগ বাঢ়িবলৈ ধৰিলো।

এইদৰে অলপ দূৰ উঠি গৈয়েই এটা চাকিৰ পোহৰ ওপৰত দেখিবলৈ পালো। সেই চাকিটোৱেই 'টাইগাৰ হিল'ৰ ওপৰৰ চাকি বুলি বুজিবলৈ বেছি সময় নালাগিল। পিছে—

"দিনৰ পৰ্ব্বত ৰাতিৰ জুই
ইয়াক নেখেদি থাকিবা শুই।"

ইয়ো সেয়েই। গৈ আছো গৈ আছো অন্ত নাই। চকুৰে দেখা চাকিটোৰ ওচৰ নেপাও গৈ আৰু। ইফালে গাত ভাগৰ আৰু বুকুত ফোঁপনি লাগি হাৰা শাস্তি হৈছো। মন যায় কৰবাত বহি পৰো। পিছে আনন্দ উপভোগৰ লোভত সকলো দুঃখ কষ্ট আওকাণ কৰি উঠি আছো। অলপ দূৰ গৈয়েই নিচেই ওচৰতে চহৰৰ ফালে কুকুৰে ভুকা যেন শুনিবলৈ পালো। তেতিয়া ভাবিলো যে আমি টাইগাৰ হিলৰ ওচৰতে। সেই ভাব মনলৈ অহাৰ লগে লগে আমাৰ অন্তৰ আনন্দত নাচিবলৈ ধৰিলে। উলাহত উত্ৰাৱল হৈ পৰিলো।



ভুটীয়া তিৰোতা

ওপৰলৈ উঠি উঠি গৈ যেতিয়া একেবাৰে পাহাৰৰ মূধছ পালোগৈ তেতিয়া তাত এটা ধুনীয়া ঘৰ দেখিবলৈ পালো আৰু তাৰ ওপৰত এখন ঘূৰণীয়া বুলনিও দেখা পালো—অৱশ্যে ৰাতিৰ জোনাকৰ মাজেদি। তেতিয়া আমাৰ বিশ্বাস হল—এয়েই 'টাইগাৰ হিলৰ' অবজাৰভেটৰী। আমি তাৰ ওচৰতে আলিৰ কাষত দুখন 'ৰিক্স' গাৰী দেখা পাই ভাবিলো যে আমাৰ দৰে অন্য যাত্ৰীও তাত ৰৈ আছে। যি দেখিছিলো সিয়েই হ'ল, গেটৰ চৌকীদাৰ টোক চাৰি অনা পইছা দি দুখন 'গেট' টিকট কিনি ভিতৰলৈ সোমালো আৰু গৈয়েই ওপৰলৈ উঠা চিৰিৰ

মুখত প্ৰকাণ্ড প্ৰকাণ্ড দেহাৰে সৈতে তিনিজন থুলন্তৰ পুৰুষক দেখা পালো। মানুহ কিজনক দেখা পায়েই ভাটিফালৰ মানুহ যেন অনুমান হ'ল আৰু পিন্ধন-উৰণ সাজে-পাৰে পাৰ্চী যেন লাগিল। ভাবিলো বেচ ভালেই হ'ল। লগত মানুহ কিজনক পালো, চাবলৈ অহা দৃশ্য চাবলৈ নাপাই হতাশ হলেও তেওঁলোকৰ লগত একে লগেই যাম।

এহাতে এডাল বেত, ইহাতত কুকুৰ বন্ধা শিকলিডাল, পাছতে বাপুটিক লৈ মই গুজং গাজাং কৰি খটখটিৰ ওচৰলৈ গৈ ওপৰলৈ উঠিব খোজতেই পাৰ্চী মোল্লা তিনি-



ডবা খেলাত ভূটীয়াৰ চখ—এবিধ অন্য ৰকমৰ খেল খেলিছে

জনৰ এজনে আগ বাঢ়ি আহি মোক গুডমৰ্ণিং দিলেহি আৰু আমি দুয়ো ইংৰাজীতে কথা পাতিলোহক—লগৰ বাকী দুজনে ভাল দৰে ইংৰাজী কব নোৱাৰে। আমি পাঁচোজন খটখটিয়েদি ওপৰলৈ উঠি এডোখৰ ঠাই লৈ বহি নানা কথা আৰম্ভ কৰিলো। কথাৰ লগে লগে ঘৰীৰ কাটা চাই সময়লৈ অপেক্ষা কৰি সূৰ্য্য ওলোৱাৰ ফাললৈ দৃষ্টি পেলাই থাকিবলৈ ধৰিলো। আমাৰ মাজত নানা ধৰণৰ কথা হ'ল আৰু তাৰ ভিতৰতে এইটো ওলাই পৰিল যে সেই তিনিওজন পাৰ্চী মোল্লা—বোম্বে চহৰৰ পৰা 'টাইগাৰ হিল'ৰ এই সূৰ্য্যোদয়ৰ মনোৰম দৃশ্য চাবলৈ বুলি দাৰ্জ্জিলিঙৰ পৰা আগদিনা আমি অহাৰ দৰে ৰাতিতে উঠি আহিছে। তেওঁলোকৰ তিনিজনৰ ভিতৰত দুখন ৰিক্স গাৰী ১৫৲ টকাত ভৰাকৈ আনিছে—দুজনৰ কাৰণে এখনত ৮৲ টকা আৰু সকলোতকৈ মোটা পেট গেৰেলাজনৰ কাৰণে অকলে ৭৲ টকীয়া ভেৰোনীয়া গাৰী এখন। গাৰী টনাৰ কাৰণে দুখন গাৰীত ৭টা ভূটীয়া লাগিছে।

তেওঁলোকে লগত খোৱা বস্তু আদিও নেদেখি আৰু বাটত কম্বল আৰু কাপোৰৰ টোপোলা এটা কৰবাত পেলাই অহাৰ কথা আমাক কৈছিল আৰু সুধিছিল—আমি সেই টোপালা পিছত পৰি অহা দেখিছিলোনে? এই দৰে নানা কথা বাৰ্ত্তাৰ মাজেদি আমি পূব গগণলৈ মুখ কৰি সূৰ্য্য উদয়ৰ প্ৰত্যেক ক্ষণলৈকে ৰৈ আছো—মনত আছে অদম্য হেপাহ আৰু নিশ্চয়-অনিশ্চয়তাৰ সন্দেহজনক ভাব। এই দৰেই মনত উগুল-থুগুল ভাৱেই তাত খাপ দি বহি আছো।

ইতিমধ্যতে এটা দৃশ্য দেখিবলৈ পালো। ওচৰত থকা ভূটীয়া বস্তিবোৰৰ পৰা এজাক ভূটীয়া মানুহে হাতত জোৰ আৰু কাগজৰ ফুল আৰু নিচান লৈ হুই-হাই কৰি কিবা বোৰ গাই গাই হাবিৰ ফাললৈ সোমাই গৈছে। সেই জোৰ বোৰ চাৰিওফালে ঘূৰাই কিবা মন্ত্ৰ আৰু নাম গাই হাতত থকা কাগজৰ ফুল, নিচানবোৰ গছে গছে উঠি আৰি ফুৰিছে আৰু তাৰ লগে লগে সেই গছবোৰলৈ হুই-হা কৰি দলিয়াই দলিয়াই কিবা ঢেক গাই ফুৰিছে—বোধহয় মাঘৰ বিহুৰ মেজি পুৰিবৰ দিনা পুৱা দোকমোকালিতে ঘৰৰ গিৰীহঁতে বাৰীলৈ গৈ গছৰ গুৰিবোৰ বান্ধি গছলৈ দলি মাৰি বিজাতৰীয়া নহবলৈ বুলি ভূত খেদোৱাৰ দৰে তাহাতে ভূতহে খেদাইছে। যদিও সেই আদিমবাসী পাহাৰীয়া ভাইহঁতৰ বাহ্যিক কাৰ্য্যবোৰ দেখি আমি হাঁহি ৰাখিব নোৱাৰিছিলো তথাপি ক্ষন্তেকলৈ ভাবি মনতে ভাব হ'ল যে মানুহ-জাতিৰ ক্ৰমোন্নতিৰ পথত ই একো আচৰিত হব লগীয়া কথা নহয়—এসময়ত হয়তো আমিও তেনে ধৰণৰ কিছু কাম কৰিছিলো বা হয়তো এতিয়াও কৰো যিহৰ কাৰণে অন্য দেশৰ মানুহৰ আগত তেনেদৰেই হাঁহিয়াতৰ পাত্ৰ হওঁ। এতেকেই একো আচৰিত হব লগীয়া কথা নহয়।

এনে হাই উৰুমিৰ মাজতে এবাৰ হঠাতে সেই ভূটীয়া বোৰে কিৰিলি পাৰি উকি মৰা যেন শুনি আকাশৰ ফাললৈ চাই দেখো যে পূব গগণৰ ফালে পোহৰৰ পৰিৱৰ্ত্তন যেন দেখা গৈছে। তাকে দেখি আমি আমাৰ চকু থিৰ কৰি সেই ফালে লক্ষ্য কৰি থাকিবলৈ ধৰিলো। লাহে লাহে কুকুৰাৰ ডাকো কাণত পৰিল আৰু হাবিৰ মাজৰ পৰা ফেঁচায়ো কুৰুলি মাৰি উঠিল—আমাৰ ভাবিবলৈ বাকী নাথাকিল যে ৰাতি পুৱাবৰ হ'ল। যিমানেই এই কথা ভাবিবলৈ ধৰিলো তিমানেই আমাৰ মন আৰু চকু পূব আকাশৰ ফালে থৰ হৈ যাবলৈ ধৰিলে। প্ৰত্যেক ক্ষণতে ভাবিবলৈ ধৰিলো—এই সূৰ্য্য দেৱতাই আমাক দেখা দি কৃতাৰ্থ কৰিবহি—আমাৰ হেপাহৰ আপৰুগীয়া বস্তুটি দেখি জীৱন সাৰ্থক কৰিব পাৰিম। বাঃ কিমান আনন্দ! সেই অৱস্থাত ভুক্তভোগীৰ বাহিৰে অন্য কোনোৱেই সেই বিনন্দীয়া সুখৰ সপোন দেখিব নোৱাৰে। সেই সময়ৰ কাৰণে মই ভাগ্য দেৱতাৰ আদৰৰ ধন, অন্তৰৰ প্ৰাৰ্থী আৰু 'ফেভাৰিট পে'ট'।

চকু থৰ কৰি চাই থাকোতেই পূব আকাশৰ ফালে অলপ পোহৰৰ আভাস দেখিবলৈ পালো। লাহে লাহে গোটেই পূব গগণেই ৰঙচুৱা হৈ পৰিবলৈ ধৰিলে। আকাশে বৰণ সলোৱাৰ লগে লগে চাৰিও ফালে সকলো বস্তুৱেই সজাগ হৈ উঠিবলৈ ধৰিলে। আলেঙে আলেঙে যি এচটা দুচটা ডাৱৰ ঘূৰি ফুৰিছিল সিহঁতেও সজীৱ হৈ উঠি গাৰ বৰণ সলাবলৈ ধৰিলে। বাস্তৱ জগতত থকা গছ গছনি পাহাৰ ভৈয়ামেও অলপ নতুন আভৰণ পিন্ধা যেন দেখা গৈছিল। মুঠতে চাৰিওফালে সাজ-সজ্জাৰে সজ্জিত নতুন বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিমা ওলাই পৰিছে। সকলোৱেই নিজ নিজ আভৰণ পিন্ধি সাজু হৈ 'এটেনশ্যন্' (Attention) পজিশ্যনত' আছে—যেনিবা সম্ৰাটৰ আগমনলৈ বাট চাই ৰৈহে আছে। আকাশৰ ৰঙালী কিৰণৰ ৰাঙলী সাজেৰে সূত্ৰধাৰীয়ে আগ জাননী দি যোৱাৰ লগে লগে সম্ৰাট সূৰ্য্য দেৱতাৰ ৰথৰ আগত অহা নানা সৈন্য সামন্ত, নৰ্ত্তক-নৰ্ত্তকী আদিয়ে নানা ধৰণৰ সাজ পিন্ধি দেখা দিছেহি—যেনে, সেউজীয়া, ৰঙা, বগা, হালধীয়া, নীল বৰণীয়া ইত্যাদি। সেই সময়ত আকাশখন যেনিবা এখন দেৱতাৰ নৃত্য ভূমিহে হৈছিল! অলক্ষিত নিঃশব্দ বাদ্যযন্ত্ৰ আৰু পেপা দুন্দুভিৰ সুৰৰ চেৱে চেৱে এই দেৱ বালিকা নৰ্ত্তকী সকলে এখোজ দোখোজকৈ আহি সূত্ৰধাৰীৰ ওচৰত অভিবাদন জনাই সম্ৰাটৰ আগমনৰ বাৰ্ত্তা জনাইছেহি। তাৰ লগে লগে চাৰিওফালে প্ৰকৃতি আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ গ্ৰহ-নক্ষত্ৰ, সকলোৱে সেই দৃশ্য চাবলৈ উত্ৰাৱল হৈ ৰৈ আছে আৰু আমি সেই সকলোবোৰৰ লগতে চকু থিৰ কৰি চাই আছোঁ।



টাইগাৰ হিলৰ ওপৰৰ পৰা দেখা দৃশ্য—দূৰৈত 'এভাৰেষ্ট'

অলপ পিছতে হঠাৎ এটা পৰিৱৰ্ত্তন দেখিবলৈ পালোঁ। হঠাৎ গোটেই পূব গগণখন এছাটি কলা মেঘ আহি আবৰি ধৰি সকলো দৃশ্য লুকাই পেলালে—যেনিবা আঁৰ-কাপোৰহে পৰিল। চাৰিওফালে নিজান আৰু নিস্তব্ধতাই আবৰি পেলালে। ক্ষন্তেকৰ কাৰণে আমাৰ সকলোৰে মনত খু-দুৱনি লাগিল—কি হ'ল? সূৰ্য্যদেৱতাৰ দৈনন্দিক গতিতে বাধা জন্মিল নেকি? নহয়, সিটো কেতিয়াও হব নোৱাৰে। নাই, ই অইন একো নহয়, কেৱল ক্ষন্তেকৰ আগলৈকে যি অতুলনীয় মনমোহা স্বৰ্গীয় দৃশ্য দেখুৱাই সকলোৰে মন যেনে দৰে বলিয়া কৰি তুলিছিল আৰু যি সৌন্দৰ্য্যত মুগ্ধ হৈ সকলো সপোন যেন দেখা গৈছিল সেই

সপোনৰূপ মনোমোহিনী দৃশ্য দিঠকত পৰিণত কৰিবৰ কাৰণেই এই "আঁৰ কাপোৰ" প্ৰত্যাৱৰ্ত্তন! সেই কাৰণে আমি সেই ক'লা ডোৱৰ ছাটিৰ পিনে দৃষ্টি অতি সূক্ষ্মভাৱে পেলাবলৈ ধৰিলো—যাতে তাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰিৱৰ্ত্তনো আমাৰ দৃষ্টিত পৰে।

ঠিক অনুমান! সেয়েই হয়। মই যি কল্পনা কৰিছিলো সিয়েই দিঠক হৈ ওলাল। ৰঙা ৰথৰ ওপৰত অৰুণ দেৱতাই সসম্ভ্ৰমেৰে উঠি লগত অসংখ্য কিৰণ সেনাৰ সমষ্টি লৈ নিজৰ দৈনন্দিন গতিৰ অৰ্থে কৰ্ত্তব্য অনুযায়ী আগবাঢ়ি আহিছে। ধন্য! ধন্য মোৰ জীৱন, ধন্য মোৰ ভ্ৰমণ। এনে স্বৰ্গীয় দৃশ্য মই কেতিয়াও দেখা মনত নপৰে



আমি থকা 'ষ্টিফেন মেন্সন'ৰ পৰা দেখা দাৰ্জ্জিলিং বজাৰৰ দৃশ্য

আৰু যে দেখিম তাকো কব নোৱাৰো। সেই সময়ৰ সেই অৱস্থাত মোৰ অন্তৰ কেনে যে হৈছিল তাক মই নিজেহে সেই সময়ত বুজিছিলো—এতিয়া কিন্তু সেই বিষয়ে একো অনুভৱ কৰিব নোৱাৰো। প্ৰথমতে সূৰ্য্যদেৱতাই ৰঙিন ৰঙৰ ৰথৰ ওপৰত উঠি গাত এডাল কলা পটি মেৰাই পূব গগণৰ ফালৰ পৰা দেখা দিলেহি।

তাৰ অলপ আগতে পশ্চিম দিশত থকা হিমালয় পৰ্ব্বতৰ তিনিটা টিঙত অৰুণ দেৱতাৰ জ্যোতি পৰি টিঙ-কিটা চিক্‌মিকাই উঠিছে—যেনিবা তিনিখন তিখাৰ তৰোৱালহে। মোৰ ভাব হল, সূৰ্য্য দেৱতাৰ আগমনৰ গম পাই ভাৰতভূমীৰ মূৰ শিতানত থকা মহাবলী গা-ৰখীয়া হিমগিৰিয়ে নিজৰ ত্ৰিহস্তত তিনিখন তৰোৱাল লৈ ভাৰত মাতৃৰ হৈ সূৰ্য্যদেৱতাক অভিবাদন জনাইছে। সেই ভাবিয়েই মযো মোৰ শিৰ নত কৰি প্ৰণাল জনালো আৰু প্ৰাৰ্থনা জনালো—"হে অৰুণ দেৱতা; তোমাৰ জ্যোতিয়ে চাৰিওফালে প্ৰকৃতি, গ্ৰহ, নক্ষত্ৰক যি শক্তি বিলাই শক্তিমন্ত কৰি তুলিছে সেই শক্তিৰে এটি ক্ষুদ্ৰাতিক্ষুদ্ৰ ভাগ মোৰ গাতো নিক্ষেপ হয় যেন।" এইদৰে প্ৰাৰ্থনা কৰি মই অলপ অভিভূত আছিলো। ইতিমধ্যতে ওচৰত থকা সহযাত্ৰী দুজনমানেও সূৰ্য্যদেৱতাৰ প্ৰতি নমস্কাৰ জনাই সেৱা কৰিলে। মই তেওঁলোকৰ কাৰ্য্য দেখি ভাবিলো—সকলোৰে উদ্দেশ্য একে, কেৱল অনুভৱ বেলেগ। তেওঁলোকে প্ৰণাম জনাইছে ধৰ্ম্মৰ দোহাই মতে আৰু মই প্ৰণাম কৰিছো নিজৰ অনুভূতিৰ প্ৰেৰণাত পৰি। মূলতে দুয়োৰে উদ্দেশ্য এক। এয়েই হিন্দু ধৰ্ম্মৰ বিশেষত্ব। এই কাৰণেই সূৰ্য্য দেৱতা বুলি ভাবি সেইমতে "সূৰ্য্য-বন্দনা" আৰু "আৰাধনা"ৰ ব্যৱস্থা।

ওপৰত উনুকিয়াই অহা টিং তিনিটাৰ মাজৰটোৱেই হৈছে বিখ্যাত গৌৰীশঙ্কৰ টিঙ যাক ইংৰাজীত 'মাউণ্ট এভাৰেষ্ট' (Mt. Everest) বোলে। এই টিঙৰ ওপৰত উঠিবলৈ অভিযান কৰিবলৈ পৃথিবীৰ কত ঠাইৰ মানুহে কিমান চেষ্টা কৰিছে আৰু প্ৰত্যেক বাৰ কিমান মানুহে জীৱন পৰ্য্যন্তও এৰিব লগাত পৰিছে তাক পাঠক পাঠিকা সকলে নিশ্চয় জানে। পৃথিবীৰ নানা দেশৰ পৰা কৰা চেষ্টাৰ লগে লগে ভাৰততো নিজৰ নাম পৃথিবীৰ আগত ৰাখিবৰ কাৰণে চেষ্টা কৰি যোৱা বছৰ এটা ভাৰতীয় অভিযানৰ দল গঠিত হৈছে আৰু সেই দলৰ ভিতৰত এই লিখকো অসমৰ পৰা একমাত্ৰ সভ্য হিচাবে নিৰ্ব্বাচিত হৈছে। এই কাৰণে লিখকেও নিজে নিজে গৌৰৱান্বিত বোধ কৰে। যোৱা বছৰ বিশেষ অসুবিধাৰ কাৰণে উক্ত দলে অভিযান স্থগিত ৰাখিব লগা হল। এইবাৰ আকৌ হাতত লবলৈ কাৰবাৰ কৰিছে। লিখকৰ বাহিৰেও অসমৰ ডেকাদলৰ পৰা দুই চাৰিজন এই অভি-

যানাৰ্থে আগবাঢ়ি গলে অসমৰ গৌৰৱ প্ৰচাৰ কৰিব পাৰে। অসমীয়া ডেকাই এই বিষয়ে মন বান্ধিলে কেতিয়াও সফল নোহোৱাকৈ নাথাকে। এই সুযোগতে লিখকেও অসমীয়া ডেকা দললৈ এই বিষয়ে আহ্বান জনাইছে।

এই সবাতোকৈ ওখ (পৃথিবীৰ ভিতৰতে) টিঙ্‌টো সাগৰৰ তলিৰ পৰা ২৯০০২ ফুট ওখ। মাজত থকা এই টিঙটো টাইগৰ হিলৰ পৰা কাষৰৰ টিং কেটাতকৈ চাপৰ যেন দেখা যায় এই কাৰণে, যে ই অনেক দূৰত অৱস্থিত। বাকী দুটা টিঙৰ নাম—ফাল্লুত (Phallut) আৰু মাকলু (Makalu)। এই দুটা ক্ৰমান্বয়ে ১১৮১৬ ফুট আৰু ২৭৭৯০ ফুট ওখ।

লাহে লাহে সূৰ্য্যদেৱতাই গাৰ পৰা পটি ডাল খহাই ওচৰ চাপি আহিবলৈ ধৰিলে। লগে লগে জ্যোতি আৰু কিৰণো বেছি তেজী হৈ উঠিল। সূৰ্য্যদেৱতাৰ গাত অসংখ্য চক্ৰ দেখা গল। সেই চক্ৰবোৰে এই নিৰ্দ্দিষ্ট বিন্দুত আৰু নিৰ্দ্দিষ্ট কক্ষত ঘূৰি নানা ৰঙৰ ৰশ্মি বিলাই ঘূৰিব লাগিছে—দেখিলেই সকলো স্বৰ্গীয়, অসাধাৰণ আৰু শক্তিময় যেন লাগে আৰু বাস্তৱিকতে সি তেনেই। সূৰ্য্যদেৱতাই নিজৰ ৰথৰ ওপৰত উঠি লাহে লাহে আগ বাঢ়ি অহাৰ লগে লগে অলপ দূৰত গা ঢিলাই থকা চন্দ্ৰদেৱৰ জ্যোতি হ্ৰাস হৈ আহিবলৈ ধৰিলে আৰু অৱশেষত একো নথকাই হলগৈ। এই কাৰণেই কয় বোধ হয়, যে একেখন আকাশত চন্দ্ৰ আৰু সূৰ্য্যদেৱতা দুয়ো সমান জ্যোতি বিহাৰিব নোৱাৰে—সূৰ্য্যদেৱতাৰ জ্যোতিৰ আগত চন্দ্ৰদেৱৰ অস্তিত্বই নোহোৱা হয়। ঠিক সেইদৰেই আমাৰ দৈনন্দিন আৰু ৰাজহুৱা জীৱনতো খাটে—বিশেষকৈ ৰাজনীতিক নেতাসকলৰ গাত।

আমি এইদৰে একেথৰে আকাশলৈ চাই চাই' ঠেটুৱাই ধৰা জাৰত কঁপি কঁপি তাত প্ৰায় এঘণ্টামান কটালো। তাৰ পিছতে মনত আনন্দ আৰু অন্তৰ ভৰা উলাহ লৈ নিৰ্দ্দিষ্ট বাসস্থানলৈ ফিৰিবলৈ আগ বাঢ়িলো। মনত বান্ধিললো এবোজা আবেগৰ স্মৃতি আৰু অন্তৰত সুমাই ললো হেপাহৰ পৰিতৃপ্তি। ক্ষন্তেকৰ কাৰণে ভাবিলো মোৰ জীৱন ধন্য। জীৱনৰ এই ছোৱা বাটতেই পৃথিবীৰ ভিতৰৰ তিনিটি আপৰুগীয়া বস্তু দেখিবলৈ পালো! প্ৰথমতে পৃথিবীৰ সপোন দিঠকত পৰিণত হোৱা বাদচাহ চাহজাহানৰ কীৰ্ত্তি "তাজমহলত এঘণ্টা" দ্বিতীয়তে ভৌগেলিক অৱস্থাৰ অতুলনীয় সংলগ্নত হোৱা তিনি সমুদ্ৰৰ মিলনত ফাগুনী পূৰ্ণিমাৰ দিনা ৰাতি আৰু পিছদিনাৰ পুৱাত চন্দ্ৰ-সূৰ্য্য দেৱতাৰ ৰশ্মিয়ে ত্ৰিসমুদ্ৰৰ ঢৌৰ লগত কৰা কেলিৰ স্বৰ্গীয় দৃশ্যৰ প্ৰত্যক্ষ দৃষ্টিৰে সৈতে কটোৱা "কুমাৰিকা অন্তৰীপত এৰাতি" আৰু তৃতীয়তে এই প্ৰকৃতিৰ বিধানমতে হিমালয় পৰ্ব্বতৰ মাজত অলক্ষিত



'ষ্টিফেন মেন্সন'ৰ পৰা দেখা 'ইডেন চেনিটেৰিয়াম' হোটেল আৰু আস্পাতাল

ভাৱে পৰি থকা আৰু দৈনন্দিন দেখিবলৈ পোৱা সূৰ্য্যদেৱতাৰ উদয়ৰ এনেহেন মনোমোহা দৃশ্য দৰ্শনত কটোৱা "টাইগাৰ হিলৰ ওপৰত আৰু এঘণ্টা"। এই সকলো মোৰ পূৰ্ব্বজন্মৰ সঞ্চিত কৰ্ম্মৰ ফল বুলি মই বিশ্বাস কৰো আৰু তাকে ভাবি সন্তোষ পাওঁ।

"টাইগাৰ হিলৰ ওপৰত আৰু এঘণ্টা"কটাই মই মোৰ সঙ্গী কুকুৰটি আৰু ধৰ্ম্মবাপুটিক লৈ গন্তব্য স্থানলৈ ৰওনা হলো। মোৰ লগত উক্ত দুই সঙ্গীয়েও সেই অপূৰ্ব্ব দৃশ্য দেখি জীৱন ধন্য মানিলে। হাতত থকা এপোল ফলটি কাটি খাই খাই আমি পৰ্ব্বতৰ পৰা নামি আহিবলৈ ধৰিলো। লাহে লাহে ভালদৰে

পোহৰো হৈ আহিবলৈ ধৰিলে। কিছুদূৰ আহি এটা ডাঙৰ হৰিণা পহু বাটত চৰি থকা দেখিবলৈ পালো, পহুটো দেখি যদিও ভাল লাগিছিল তথাপি সি আমাৰ দৃষ্টিত পেহি সময় থাকিবলৈ ভাল নেপাই অভিমান কৰি লৰ ধৰিলে। তাৰ পাছে পাছে গুদাহাতেৰেই ধুতি কোচাই বাপুটও লৰ দিলে, যেনিবা পহুটো জীৱাই ধৰিহে আনিব। মই বাপুটৰ কাষ্য দেখি পেটে পেটে নহোঁহি নোৱাবিলো। এনেই হৈছে উদংমৰা পহু তাতে তাক ধৰিবলৈ যায় গুদা হাতখন লৈ। কি মুৰ্খামি! অলপ বেলিৰ পিছতে বাপুটি লাজতে ভেচভেচিয়া হৈ ঘুৰি আহিল। তেওঁ মোৰ ওচৰ পোৱাৰ লগে লগে বিৰ্কৰ্ষনা আৰু ঠাট্টাৰ কোবত জলাকলা কৰিলো।



মোৰ দাৰ্জ্জিলিং ভ্ৰমণৰ সহযাত্রী বন্ধুবৰ মিঃ চে, আই, বাজ,—দাৰ্জ্জিলিং এবাৰ সমযত লোৱা ছবি।

ইতিমধ্যতে এটা নেপালী আমাৰ লগত পালো। তাৰ লগতে আমি চমু বাট কাটি দাৰ্জ্জিলিঙলৈ খোজ ললো।

আমি মোৱা বাটেদিয়েই ফিৰি আহি ঘুম (ghum) পালোহি। তাৰ পৰা অন্য এটা বাটেদি চমু কাটি নেপালী দাজুৰ লগত বেগা বেগিকৈ খোজ দিলো। বাটত কাটাপাহাৰ আৰু জালাপাহাৰ নামৰ দুটা আৰু পাহাৰ পাই গলো। তাত কেৱল সৈন্য বাহিনীৰ চাউনী আৰু 'টমী' বোৰকহে লগ পালো। সেই ঠাইবোৰ চাই চিতি আমি অন্য এটা বাটেদি গৈ আমাৰ 'ষ্টিফেন মেন্সন' ঘৰ পালোগৈ। ঘৰ পাই দেখো যে সকলো বিচনাতেই পৰি আছে। কোনোৱে উঠা নাই। আমি সকলোকে জগালোগৈ আৰু আমি আমাৰ ভাগ্য মতে হেপাহ পলুৱাই সেই অপূৰ্ব্ব দৃশ্য দেখিবলৈ গোৱা বুলি শুনি সকলোৱে ভাল পালে আৰু মোৰ নিজৰো অত্যন্ত উলাহ লাগিল। হিমালয় পৰ্ব্বতৰ দুৰ্জ্ঞয় লিঙৰ ওপৰত এপয় থাকি আকৌ কলেজলৈ ফিৰিবৰ আগতে যাত্রাৰ দিনা পুৱাতে এনেদৰে প্রফুল্ল বদনে আহিবলৈ পাই বৰ ভাল লাগিল। মনতো অত্যন্ত সন্তোষ আৰু আনন্দ। ঠিক মোৰ ভ্রমণ বেচ উপাদেয় হৈ উঠিল আৰু তাৰ কাৰণে মোৰ ভাগ্যয়েই সুপ্রসন্ন।

তাৰ পিছত চাহ জলপান খাইয়েই মই মোৰ টোপোলা-টাপলি বন্ধাত লাগি গলো। বন্ধত পৰিম বুলি যি কিতাপ পত্র বাকচৰ পৰা উলিয়াই লৈছিলো তাকো সুমাই নলো। দুপৰীয়া ভাত পানী খাই সাজু হলো। ইতিমধ্যতে বন্ধুৰ মিঃ বি, এচ, দত্ত বাৰ-এট-ল দেৱৰ পিতৃ বিখ্যাত ব্রতাচাৰী আন্দোলনৰ প্রৱর্ত্তক মিঃ গুৰুচৰণ দত্ত আই, চি, এচ, দেও ওলালেগৈ। তেখেতৰ লগত কথাবার্ত্তা পাতি মই সকলোৰে পৰা বিদায় লৈ মিঃ বাজৰ ঘৰলৈ মালবস্তুৰে সৈতে গলো। মিঃ বাজো তেও ঠিক কৰা প্রাইভেট টেক্সিৰে সৈতে সাজু হৈ মোলৈ বাট চাই আছে। গাৰীত মোৰ আৰু মিঃ বাজৰ বস্তু বাহানি বান্ধি তেওঁৰ ঘৰতে চাহ একাপ ভালদৰে খাই আৰি দার্জ্জিলিঙলৈ যোৱাৰ দৰে একেলগেই বওনা হ'লো, লগত ললো দুয়ো ভালদৰেই খোৱা বস্তু। যাৱৰ সময়ত অলপ অলপ বৰষুণো পৰিবলৈ ধৰিলে। আমি আমাৰ যাত্রা শুভ বুলি বওনা হৈ পিছদিনা কলিকতা পাই পুৱাই কলেজৰ 'ক্লাচ' কৰিলোগৈ। অন্তৰত সুমাই ললো মধুময় স্মৃতি আৰু দার্জ্জিলিঙৰ মনোৰম দৃশ্যবোৰ।

ধন্য ভাৰত মাতৃ! ধন্য তোমাৰ কর্ম্মভূমী, ধন্য তোমাৰ পৰ্ব্বত পাহাৰ, ধন্য তোমাৰ নদ-নদী, ধন্য তোমাৰ হ্রদ-সমুদ্র, ধন্য তোমাৰ গুহা-প্রান্তৰ, ধন্য তোমাৰ উষৰ গিৰি, ধন্য তোমাৰ অন্তাচল, ধন্য তোমাৰ ধর্ম্ম-কর্ম্ম, ধন্য তোমাৰ পুত্রবাৎসল্য, ধন্য তোমাৰ প্রাকৃতিক সৌন্দর্য্য ধন্য তোমাৰ ভৌগোলিক গঠন। এই সকলোবোৰেই তোমাৰ সৌন্দর্য্য আৰু গৰিমা বিকাশ কৰি গোটেই জগতত তোমাৰ নামৰ মর্য্যাদা বাঢ়িছে। সেই কাৰণে ধন্য আমি তোমাৰ সন্তান।

অসমত হাতীধৰা বা হাতী-চিকাৰ

—শ্রীযুত উমাকান্ত গগৈ

অসম আই প্রাকৃতিক সৌন্দর্য্যত যেনেকৈ জগতত অদ্বিতীয়া, তেনেকৈ প্রকৃতিদত্ত ঐশ্বর্য্য-বিভূতিৰেও পৰিপূর্ণা। জগতৰ বিখ্যাত পৰিব্রাজক সকলে অসম আইৰ প্রাকৃতিক সৌন্দর্য্য ইয়াৰ ঐশ্বর্য্য-বিভূতি আৰু উৰ্ব্বৰতা দেখি মুগ্ধ হৈ যায়। হিউৱেনচাং, মিৰজুমলা আৰু মহাত্মা গান্ধীজী আদিৰ বিবৃতিয়েই তাৰ জাজ্বল্যমান প্রমাণ।

অসমত নাই কি? বালি-চাহীৰ পৰা গজহস্তীলৈকে আৰু সাধাৰণ বেত-বাঁহ-তৰা-পাটিদৈৰ পৰা ধন-সোণ আদি বহুমূল্যীয়া বস্তুলৈকে ভৰি আছে। পৃথিবীৰ আন কতো এনে এখন দেশ নাই য'ত অসম আইৰ দৰে চামে চামে বস্তু-বাজি গুপতে গোত পাই আছে।

গোটেই অসমৰ কথা নধৰিলেও অকল শিৱসাগৰ লক্ষীমপুৰ এই দুখন জিলাতে, এবাৰ ভাবি চাওক, কি নাই? ব্রহ্মপুত্রৰ চাপৰিত পৌনঃপুনিক ভাৱে উদ্ভৱ হোৱা প্রকাণ্ড উলুবেৰৰ চাপৰি; প্রায় সকলো ঠাইতে বাঁহ-বেত নানান বৰকম মূল্যবান গছ-গছনি। কাগজৰ মূল সমল তৰা, পাটিদৈ ভৰা। সাত-সমুদ্র-তেৰ-নদী পাৰ হৈ আহি চাহনি পাতি কৌটিয়ে কৌটিয়ে টকা নিব লাগিছে। নিমখৰ পুং, চুণ শিল, নাগমাটি-কয়লা, মাটি তেল, জাংফাই, মজাঠি, সোৱনশিৰী আদিত সোণ; তাত বাজেও যি সাতোটা বংলে পশ্চিম জগতত এসময়ত ৰণ লাগিছিল, সেই ৭ বঙৰ সঁজুলি অসমৰ পুৰ-ভাগত বিদ্যমান। আজিও মিচিমি, ফাঁকিয়াল আদি জাতিয়ে সেই বং তৈয়াৰ কৰি কাপোৰ বোলাইছে। কাপোৰৰ বাবে কপাহ অপর্য্যাপ্ত। ইয়াৰ উপৰিও জগততে আপুৰুগীয়া মুগা-এড়ি, পাট, মেজাঙৰী। জীৱ-জগততো ইয়াত প্রায় সকলো জন্তু আছে বুলি কলেও বৰ মিছা কোৱা নহব। মযুৰ চৰাইকে আৰম্ভ কৰি গড়-হাতীলৈকে চামে চামে জন্তু আছে। নাজানো, অজানিত ভাৱে আৰু ক'ত কিমান বস্তু আছে। মোৰ বিশ্বাস ভূমণ্ডলত কোনো অংশতে ইমান বিধ বস্তু থুপতে থকা নাই। অমৰ বাঞ্ছিত অমৰাবতী হেন এনেখনি পুৰি মর্ত্তাত আন কত ওলাব? হায়; তথাপি অসমীয়া মানুহ নিজ ঘৰতে প্রবাসী! আজি বিদেশীয়ে এই কান-দেহু দুহি অমৃত পান কৰিছে!

ইবোৰ ইমানতে এৰি আমাৰ প্রবন্ধৰ ওচৰ চাপোঁ। অসমৰ জীৱ-জন্তুৰ ভিতৰত হাতীয়েই আকাৰত আটাইতকৈ ডাঙৰ আৰু বলীও। একো একোটা হাতী ওখই ১২ ফুটলৈকে আছে। (অৱশ্যে আফ্রিকাত ইয়াতকৈয়ো ডাঙৰ হাতী আছে) এই হাতী অসমৰ বহল-ডাঙৰ হাবিত আৰু পর্ব্বত-পাহাৰত বাস কৰে। বনবীয়া জন্তুৰ ভিতৰত হাতী যদিও ডাঙৰ আৰু বলী, তথাপি তাহাতকৈ মানুহে কৌশলেৰে ধৰি আনি অতি অলপ দিনৰ ভিতৰতে শিকাই জাতি কৰি পোহ মনায়। পোহনীয়া জন্তুৰ ভিতৰত গৃহস্থক মুহিব পৰা গুণ হাতীৰেই সকলোতকৈ বেছি। যদিও সি দেখিবলৈ তিমান ধুনীয়া নহয়, তথাপি সি চকুৰ দৃষ্টিৰ ভিতৰত পৰিলে তাক নোগোৱাকৈ থাকিব নোৱাৰি। এনে একোটা শিক্ষা পোৱা হাতী আছে, তাৰ মালিকক বা আবোহীজনক বিপদত বক্ষা কৰিবলৈ জীৱন পণ কৰে। এনে গুণ থকা বাবেই হাতীৰ গিৰীহতে হেজাৰ টকা ঋণ থাকিলেও হাতী বেচি ঋণ মাৰিবলৈ ইচ্ছা নকৰে।

হাতীৰ স্বভাৱ বৰ নিৰ্জ্জুৰা। পৰিয়ালে-পৰিয়ালে জুম বান্ধি ফুৰে। আগৰ হাতীটো যেনিয়ে যায় পাছবোবোৱা সেই পিনেই যায়। হাতী অহা-যোৱা কৰা বাটক হাতী-পাট বোলে। হাতী-পাটত হাতীবোৰ অহা-যোৱা কৰোতে এনে লানি নিছিগাকৈ যায় যে, সেই জুমটোত কেইটা

হাতী গৈছে তাক লেখ কৰাই বৰ টান। মন কৰিব লগীয়া কথা, তাঁহাতৰ সক সক পোৱালিবোৰক গোটেই ক্ষুদ্ৰ হাতীয়েই অপত্য-স্নেহত ৰাখে। সেতিয়া কোনো পোৱালি জগে, সেতিয়া যিমান কি কষ্ট বা বিপদ হওক লাগে, পোৱালি যাব নোৱাৰালৈকে পোৱালীক এৰি আনবোৰ হাতী কেতিয়াও আন ঠাইলৈ নাযায়। আৰু ৰাতি হলে পোৱালিটোক মাজত ৰুবৰে আগুৰি লৈ চাৰিওফালে ৰেৱা দিয়া দি থাকে। আন কি, কোনো জান-জুৰি পাৰ কৰি নিব লগা হলে আটাইবোৰ হাতীয়ে গছ, লতা আনি ভেটা বা বান্ধ তৈয়াৰ কৰি অতি যত্নেৰে পাৰ কৰি নিয়ে।

(১) দীঘল দুটা দাঁত থকা মতা হাতীক "দন্তাল-হাতী" বোলে।

(২) দীঘল এটা দাঁত থকা মতা হাতীক "এঁজীয়া হাতী" বোলে। -সোঁফালৰ দাঁতটো থাকিলে 'গণেশ' বোলে।

(৩) চুটি চুটি দুটা দাঁত (১ ফুট বা তাৰ কম) থাকিলে তাক 'চণমা দন্তাল' বোলে।

(৪) দাঁত নথকা মতা হাতীক 'মথনা' বা 'গুণ্ডা'হাতী বোলে।

(৫) ডাঙৰ মাইকী (পোৱালি দিয়া) হাতীক 'মাগুনী' বা 'দুইহাতী' বোলে।

(৬) চেউৰী হাতীক "চৰাল" বা "চাৰিণ" বোলে।

(৭) সক সক পোৱালিবোৰক "গেণ্ড" বোলে।

(৮) শিক্ষা পোৱা চিকাৰী হাতীক 'কুন্কী' হাতী বোলে।

দ্ৰষ্টব্য :—মথনা আৰু মাইকী হাতীবো সক সক দাঁত থাকে তাক "লাকুচামা বোলে। যাৰ তেনে লাকুচামা নেথাকে, তাক "মধা" বোলে।

(ক) গাৰ ছালৰ বান্ধ অনুসৰি হাতীৰ ৪ শ্ৰেণী বিভাগ কৰে।

যথা :—১ম—(হোহোৱা বান্ধৰ (গড়ৰ ছালৰ দৰে ডাঠ ছালৰ)।

২য়—কোমোৱা বান্ধৰ (কোমোৱা ছালৰ দৰে ডাঠ ছালৰ)।

৩য়—ৰৰ মিৰিকা বান্ধৰ (মিৰিকা মাছৰ দৰে ছালৰ)

৪র্থ—(মিৰিকা বান্ধৰ)।

(খ) নখ অনুসৰি :—সাধাৰণতঃ ১৬টাৰ পৰা ২০টালৈকে থাকে। সচৰাচৰ ১৮ নখীয়া হাতীকেই ভাল বুলি ধৰে। ১৬টা নখ থকা হাতী ভাল লক্ষণৰ বুলি নধৰে। ২০ নখীয়া হাতী পাৰলৈ টান। তেনে হাতী ৰৰ ভাল লক্ষণৰ বুলি ধৰে।

হাতীৰ পিঠিৰ ৰাজহাড় ডালক "ডে-বা" বোলে। নেজৰ আগৰ দীঘল দীঘল নোমধিনিক 'ডুম' বোলে। হাতীৰ লাদ (গোবৰ) 'লিদ্' বোলে। মাউত বহা ঠাইক আচন (আসন) বোলে।

১। আগেত-যা.....আগলৈ যা।

২। ধাত.....বৈ থাক।

৩। পিছু.....পাছুৱাই যা।

৪। চেই.....ঘুৰি যা।

৫। চাম.....থিৰে ৰ।

৬। বইট.....চাৰি ঠেং মেলি দি মাটিৰ সমান্তৰালত পেটটো পেলাই থোৱা অৱস্থা কৰ।

৭। মাইল.....বইট্ অৱস্থাৰ পৰা থিয় হ।

৮। বুগ.....আগ ঠেং দুটা মেলি দি শৰীৰৰ আগছোৱা চপৰাই দিয়া অৱস্থা।

৯। পাছ-খোল.....পাছ ঠেং দুটা মেলি দি টিকাটো চপৰাই দিয়া অৱস্থা।

১০। ডে-লে.....ওপৰলৈ ওৰডাল দাং

১১। ঘোৰ...ঠেং দুটা চপাই সমান ৰাখি থিৰেৰে থকা।

১২। তে-ৰে.....পানীত বা মাটিত বাগৰা অৱস্থা।

১৩। ভিৰ.....আন এটা হাতীৰে সৈতে বা এটা হাতী বান্ধা খুটা কিম্বা গছৰ লগত সমান্তৰাল হৈ থিৰেৰে থকা অৱস্থা।

১৪। বোল.....মাত ; চিক্ৰৰ দে।

১৫। ডেগ্...খাল বা ঢাপ আদি ডেওদি পাৰ হোৱা

গৱৰ্ণমেণ্টৰ বন-বিভাগৰ মূল্যৱান কাঠ, বেত আদি মহলৰ পৰা যেনেকৈ আয় হয়, হাতীৰ মহলবোৰৰ পৰাও

তেনেকৈ বহুত টকা আয় হয়। কাঠ-বেতৰ মহলবোৰ যেনেকৈ বন্দবস্ত হয়, তেনেকেয়ে হাতীৰ মহলবোৰো বন্দবস্ত হয়। আগতে বন-বিভাগে মহলবোৰ প্ৰকাশ্য ডাক কৰি বন্দবস্ত কৰিছিল ; তেতিয়া একোটা মহল ৩০০০ ৪০০০ টকাৰ পৰা ৫০০০।৬০০০ টকালৈকে ডাক হৈছিল। তাৰ উপৰিও "ৰয়েলটি" বাবদ হাতীটোৰে প্ৰতি ১০০ এশ টকাকৈ ওপৰঞ্চি জমা দিব লাগিছিল। এনে চুক্তিত কেতিয়াবা কেতিয়াবা যথেষ্ট হাতী ধৰা নপৰিলে মহলদাৰ ক্ষতিগ্ৰস্ত হৈছিল।

এনে চুক্তিত গৱৰ্ণমেণ্টৰ কোনো কোনো ক্ষেত্ৰত ঘাটি পৰা দেখি প্ৰকাশ্য ডাক কৰা প্ৰথা ওচাই সেই ক্ষেত্ৰত দক্ষতা থকা লোকক বাছি বাছি মহল দি হাতীটোৰে প্ৰতি ৫০০।৬০০ টকাকৈ "ৰয়েলটি" লোৱা নিয়ম কৰিলে। কিন্তু ৰজাৰৰ ভাও পৰি যোৱাত এতিয়া হাতীয়ে প্ৰতি ১০০ এশ টকাকৈ মাথোন "ৰয়েলটি" লোৱা নিয়মত মহলবোৰ চুক্তি হৈছে। এই প্ৰকাৰৰ চুক্তিত মহলদাৰ ক্ষতিগ্ৰস্ত হোৱাৰ শঙ্কা নাইকিয়া হৈছে।

বনবীয়া হাতী ধৰা সময় ধৰালি ছমাহত। (ইংৰাজী অক্টোবৰ মাহৰ পৰা মাৰ্চলৈকে এই ছমাহেই বন্ধা সময়।)

ঘোৰা, পিলখানা, দিখু। পানী আৰু ঘাঁহৰ সুবিধা বুজি যি ঠাইত মানুহে হাতী সহ থাকিবলৈ লয়।

খামাৰি—হাতী বন্ধা কাঠৰ শকত (পোতা) খুটা।

আন্দি—হাতীৰ কাম জনা আৰু বনবীয়া হাতী ধৰিব পৰা চিকাৰী মানুহ।

মাউত বা মাহুত—হাতীৰ কাম জনা মানুহ।

ঘাঁটী—ঘাঁহ কটীয়া মানুহ।

ফান্দ—মৰাপাটেৰে তৈয়াৰ কৰা (ওৰি শকত, আগলৈ চিকিৰা, ৯ গুণ ১২ গুণ থকা, ২৫ হাত, ৩০ হাত দীঘল) হাতী ধৰা ফই বা জৰী।

দোলুগী—মাউতে ভৰি সুমুৱাই হাতী চলাবলৈ মৰাপাটৰ সৰু সৰু জৰীবে মুঠা বান্ধি তৈয়াৰ কৰি হাতীৰ ভিতিত বান্ধি লোৱা জৰী।

কমৰ—মৰাপাটৰ ফই (হাতীৰ কমৰত বান্ধা জৰী)

দেংগী—হাতী বান্ধা মৰা পাটৰ ফই বা জৰী।

১২১+১৫

কাচৰজৰী—হাতীৰ পিঠিত গাদী বন্ধা মৰাপাটৰ দীঘল ফই বা জৰী।

গাদী—হাতীৰ পিঠিত বন্ধা আসন।

লংগড় বা বেৰী—হাতীৰ আগ ঠেং দুটা জুঁটি দিয়া থাকৰা লগা লোৰ চুটি শিকলি।

খাতাং—গোটা বেতেৰে গুৰুীয়াকৈ তৈয়াৰ কৰা আগ ঠেং দুটা জোঁটা বান্ধ।

জঠ—মুৰত জোঙা লোহা লগাই লোৱা সক গোটা বাঁহৰ ৪ হাত মান দীঘল হাতী খোচা মাৰি।

কাণামাৰি—হাতী খোচা জোঙা চুটি মাৰি।

আঁনোল—লোৰে তৈয়াৰ কৰা কাঁটাযুক্ত থকৰা লগা হাতী বন্ধা লোহা।

বনবীয়া হাতী দুই প্ৰকাৰে ধৰা হয়। এটা মেলা-চিকাৰত, আনটো খেদা চিকাৰ বা গড় বান্ধি।

১ম-মেলা চিকাৰ :—ঘৰচীয়া শিকনি পোৱা পুৰণি উপযুক্ত চিকাৰী (কুন্কী) হাতীৰে ফান্দিয়ে বনবীয়া হাতীৰ জুমত সোমাই পাক লৈ (খেদি খেদি) ছেগ বুজি ফান্দ দি হাতী ধৰে।

মেলা চিকাৰত হাতী ধৰিবলৈ যাওতে কুন্কী হাতীৰ ককালত ফেৰাজৰী (অলপ শকতকৈ) এডাল বান্ধি তাত ৩০ হাতৰ ফান্দজৰী ডালৰ আগটো ভালকৈ বান্ধি লগাই লব। তাৰ পিছত ফান্দিয়ে সেই কুন্কী হাতীৰ আগ আসনত আৰু মাউত পাছ আসনত উঠি বনবীয়া হাতীৰ জুমত সোমায়গৈ। সচৰাচৰ দুটা চুটাকৈ কুন্কী হাতী একেলগে যুৱে। ফান্দিয়ে সঙ্গেত মতে মাউতে পাছ টিকাত লোহা পিতিব। ফান্দিয়ে ফান্দটো ধৰি যাব। এইদৰে বনবীয়া হাতীৰ জুমত পাক লৈ লৈ ফুৰি থাকোতে যেতিয়াই সুযোগ পায়, তেতিয়াই ফান্দিয়ে বনবীয়া হাতীৰ মুৰেদি ডিঙিত ফান্দ গেলাই দিব আৰু ফান্দৰ চোচনিটো বনবীয়া হাতীটোৰ ডিঙিত সোমালেই সেই চোচনিটো জোৰ মতে ফান্দত লগাই থব। আন এডাল চবী বা সৰু জৰী এডালেৰে আঁটি বান্ধি দিব যাতে চোচনিটো আঁট খাই নাযায়। পিছলা এটা ফান্দ দিয়া মাএকে তাক সহায় কৰিবলৈ ২য় ফান্দিয়ে আনটো কুন্কী

হাতীৰ সহায়ত ২য় ডাল ফান্দ দি দোহাৰি ধৰে গৈ। এই সময়তে বনৰীয়া হাতীৰ লগত কুন্‌কী হাতীৰ তয়া-ময়া ৰণ লাগে। কুন্‌কী হাতীয়ে বনৰীয়া হাতীৰ লগত দুটা লক্ষ্য ৰাখি যুঁজিব লগীয়া হয়। ১ম বনৰীয়া হাতীটোক যাব নোৱাৰাকৈ চম্ভালি ৰখা ; আৰু ২য় হৈছে কুন্‌কীৰ ওপৰত থকা চিকাৰী আৰোহী কিজনকো বচাই ৰখা। ভাল কুন্‌কী নহলে আৰু ফান্দি-মাউত পাকৈত নহলে এই কেচা ৰণত কেতিয়াবা কেতিয়াবা দুই চাৰিজনে প্ৰাণ হেৰুৱায়।

খেদা বা গড় বান্ধি ধৰা ২য় কৌশল :—

এই গড় বন্ধাও আকৌ দুই ৰকমে হয়। এবিধ মাটি খোলা (লোন-পুং থকা) গড় আৰু আন বিধ দৌৰ বা হাতী-পটিত মৰা গড়। বনৰীয়া হাতীৰ চৰণীয়া হাবি, তাহাঁতৰ অহা-যোৱা কৰা পটি আৰু মাটিখোলাৰ পুং ভালকৈ চাই লৈ সুচল ঠাই বুজি হাতী গড় বান্ধে।

হাতী ধৰা গড়টো একঠা বা ডেৰ কঠামান মাটি মাজত ৰাখি তাৰ চাৰিওফালে ঘূৰণীয়াকৈ ১½ ফুট বা ২ ফুট পৰিধিৰ ১৫ ফুট মান দীঘল গোটা ২ কাঠ কাটি ঘন ঘনকৈ গাঁত খানি পুতি তাত পথালি কাঠ দি গোটা বেতেৰে ছাতি গড় বান্ধে। সুবিধা বুজি তাৰ এখন বা দুখন কৈ দুৱাৰ ৰাখে। দুৱাৰ এৰি গড়টোৰ ভিতৰ ফালে ৮ হাত বা ১২ ফুট বহল আৰু ৬ হাত বা ৯ ফুট দকৈ খাল খানে। নহলে হাতীয়ে গড় ভাঙি যাব পাৰে। দৰ্জ্জাৰ মুখৰ পৰা কুলা বা জকায় মুখীয়াকৈ ৩০।৪০ হাত দীঘলকৈ দুখন ৰাঙি বা কাঠৰ জেওঁৰা বান্ধে। দৰ্জ্জাখনো কাঠৰ শলখা দিয়া শকত দৰ্জ্জা।

উক্ত ৰাঙি দুখনৰ মূৰত ওখকৈ দুফালে দুখন পৰীয়া চাং থাকে। তাত হাতী খেদাৰ সময়ত পলীয়া দিয়া মানুহ থাকে। যি, হাতী ৰাঙিৰ ভিতৰত সোমোৱা গম পালেই শিঙা, বন্দুক আদি মাৰি গড়ৰ ভিতৰলৈ হাতী খেদি দিয়ে।

গড়ৰ দৰ্জ্জা মুখৰ পৰা দুই ৰাঙিৰ মাজেদি পোনকৈ মানুহ যাব পৰাকৈ মাথোন আধামাইলমান দূৰলৈকে পটি এটা কাটি লয়। আৰু ৰাঙিৰ মূৰৰ পৰাও কিছু আঁতৰে আঁতৰে দুই তিনিটাকৈ পথালি পটিয়ো কাটি লয়। যাতে পথালিভাৱেও আহি হাতী খেদিব পাৰি।

দ্ৰষ্টব্য :—(১) গড়ৰ ভিতৰৰ মাটি কঠাত আৰু দুই ৰাঙিৰ ভিতৰত যি হাবি, লতা-বন থাকে তাক নাকাটে।

(২) একেটা গড়তে সুবিধা হলে অগা-পিছাকৈ ২।৩ বাৰো হাতী খেদি ধৰিব পাৰে।

(৩) একোটা গড়ত বিশেষকৈ দৌৰৰ গড়ত ২৫।৩০ জন মানুহ লাগে।

* * * *

হাতীৰ গড় তৈয়াৰ হোৱাৰ পিছত যেতিয়া পুং খাবলৈ হাতী অহাৰ গম পায়, তেতিয়া সেই পুঙৰ সমীপতে গছৰ ওপৰত চাং সাজি গড় বন্ধা চিকাৰী মানুহৰ কেতখিনিয়ে (যাক "কুকুৰচুঙী" বা হাতী খেদা মানুহ বোলে) ৰাতি বন্দুক, শিঙা, তকা আদি বাদ্য যন্ত্ৰ লৈ খাপ লৈ থাকেগৈ। মন কৰিব লগীয়া—গড়ৰ হাতী খেদা মানুহক 'চিকাৰী' শব্দৰ ঠাইত "কুকুৰচুঙী" ব্যৱহাৰ কৰা হয়।

(ক) মাটি খোলা গড় :—হাবিৰ যি ঠাইত লোন পুং বা উহ থাকে, তাৰ লুনীয়া মাটি আৰু পানী খাবলৈ হাবিৰ চৰাই চিৰিকতিৰ পৰা পহু, অজগৰ আৰু হাতীলৈকে সকলো বনৰীয়া জন্তুৱেই অহা-যোৱা কৰে। কিন্তু সেই পুং সদায় উদ্ভূত নহয়। প্ৰকৃতিৰ বন্ধাছটা নিয়ম দেখি আচৰিত হব লাগে যে, সচৰাচৰ পুংবোৰ অমাবস্যা বা পূৰ্ণিমা তিথিৰ সময়ত হে কেইদিনমান উহ উদ্ভূত হয়। তেনে সময়তেই প্ৰকৃতিৰ সন্তান-সন্ততিহঁতে তাত পুং খাবলৈ আহে।

হাতী গড় মৰা চিকাৰীহঁতে এই সুযোগকে লৈ তেনে পুং বা উহৰ ওচৰতে সুচল ঠাই বুজি হাতী ধৰা গড় বান্ধে। এনেবিধ গড়কে "মাটি খোলা" বা পুঙৰ গড় বোলে। এনে গড়ৰ ৰাঙি দুখন পুঙৰ ফালে মুখ কৰি বান্ধে।

(খ) দৌৰৰ গড় :—এখন চৰণীয়া হাবিৰ পৰা আনখন চৰণীয়া হাবিলৈ যি পটিয়েদি হাতীবোৰ অহা-যোৱা কৰি থকা চিহ্ন পায় আৰু হাতী আছে বুলি বিশ্বাস হয়, তেনে পটিতেই গড় বান্ধে। এনে গড়কেই "দৌৰৰ গড়" বোলে।

হাতীৰ গড় তৈয়াৰ হোৱাৰ পিছত যেতিয়া পুং খাবলৈ

হাতী অহাৰ গম পায়, তেতিয়া সেই পুঙৰ সমীপতে চিকাৰী মানুহৰ কেতখিনিয়ে ৰাতি ৰাতি বন্দুক, শিঙা, পেঁপা, তকা আদি বাদ্য যন্ত্ৰ লৈ খাপ লৈ থাকে গৈ। হাতী আহি পুং খালেই ছেগ চাই চৰ্দ্দাৰৰ ইঙ্গিতমতে বন্দুক 'ফেৰ' কৰে, লগে লগে আন আন চিকাৰীবিলাকেও শিঙা, তকা, বন্দুক মাৰি ভয় খুৱাই হাতী গড়ৰ ফালে খেদি দিয়ে।

হাতীয়ে ভয় খাই পুঙৰ পৰা উঠি লৰ মাৰে। হাতীৰ পাছে পাছে পালি লৈ চিকাৰীহঁতে হাই-হুই কৰি গড়ৰ ৰাঙিৰ ফালে খেদি নিয়ে। যেই ৰাঙিৰ ভিতৰত সোমাই গৈ দুগুণে বন্দুক, শিঙা আদি আৱাজ কৰি হুৰ-মুৰকৈ খেদি গড়ৰৰ ভিতৰত সুমুৱায় গৈ। ইফালে দৰ্জ্জা ৰখীয়াহঁতে হাতী সোমোৱা মাত্ৰকে দৰ্জ্জা বন্ধ কৰি দিয়ে। তাৰ পিছত যাঠী-জোং লৈ লৈ গড়ৰ চাৰিওফালে পৰ দিয়ে।

দুই এদিন গড়ত আবদ্ধ কৰি ৰখাৰ পিছতে ফান্দি বিলাকে পূৰ্ব্বত উনুকিয়া দৰে কুন্‌কী চিকাৰী হাতী গড়ৰ ভিতৰলৈ সুমুৱাই এটা এটাকৈ ফান্দ দি উলিয়াই আনি 'পিলখানাত' খামাৰিত বান্ধেহি। পোন প্ৰথমে ডিঙিৰ ফান্দেৰেই খামাৰিত বান্ধে। এনেকৈ বন্ধা-বান্ধি কৰাত হাতীৰ ডিঙিত আৰু ঠেঙত ঘা লাগে। গৰম বেছি হলে ঘা বেছি পৰিমাণে লাগে। তেতিয়া তাৰ শুশ্ৰূষাৰ ব্যৱস্থা কৰি ভাল কৰিব লাগে।

দৌৰৰ গড়তো (খেত) ওচৰৰ চৰণীয়া ঠাইৰ পৰা ৰাতি ৰাতি বন্দুক, শিঙা আদি বাজানা বজাই বজাই গড়ৰ ফালে হাতী খেদি আনি গড়ত সুমুৱায়।

পিলখানাত পুৱাবেলা আৰু আবেলি দুবাৰকৈ বনৰীয়া হাতীবোৰক শিকনি দিয়ে। ঘাঁহ-পানী সততে যোগান দি থাকিব লাগে।

খামাৰিত বন্ধাৰো নিয়ম আছে। যেনে তেনেকৈ বান্ধিব নোৱাৰে। নিয়ম মতে বান্ধিলে হাতী খোলা-বন্ধাত জোঁট নাখায়। সহজেই খোলা মেলা কৰিব পাৰে। তাৰ নিয়ম জনা মানুহেহে হাতী বান্ধিব পাৰে।

বনৰীয়া হাতীটোৰ দুফালে দুটা কুন্‌কী হাতী চপাই লৈ খামাৰিৰ পৰা বান্ধ সোলোকাই কুনকী হাতীৰ কমৰত লগাই লৈ মুকলি ঠাইলৈ উলিয়াই লয়। বনৰীয়া হাতীটোতো বান্ধছাট কৰি লৈ মাউত উঠি দুফালে দুই কুনকীৰ সহায়ত কাম শিকাব।

প্ৰথমতে মাউতে কাণা মাৰিৰে কাণৰ সঁতাত খুচি আৰম্ভ কৰিব "আগেত যা ৰে আগেত যা" এই বচন মাতি মাতি দুই কুনকীৰ সহায়ত আগলৈ টানি লৈ গৈ থাকিব। কিছুদূৰ নিয়াৰ পিছত "অ'ধাত" বুলি কিছুপৰ ৰখাই থব। তাৰ পিছত "অ'পিচু" এই বুলি কৈ কাণা মাৰিৰে কপালত খুচি ধৰি পাছলৈ টানি ধৰিব আৰু লগে লগে কুন্‌কী দুটায়ো পাছলৈ টানি নিব। এনেকৈ তাতে কিছুপৰ ৰখাৰ পিছত মাউতে পুনৰ কাণা মাৰিৰে সঁতাত খুচি "চেই" বুলি বাওঁফালে ঘূৰাই দিব। সেইদৰে কুন্‌কীয়ে বাওফালে ঘূৰাই টানি নিব। তাৰ পিছত আকৌ "আগেত-যা ৰে আগেত-যা" "অ'ধাত" "অ'পিচু" আৰু "চেই" দি শেহত কব—"সকলো কাম শিকিলি বেটা। সকলো কাম শিকিলি আৰু কোনো কাম বাকী নাই বেটা। এই কাম চাবাইচ ৰে বেটা চাবাইচ।"

আচৰিত কথা, এই কথাখিনি কোৱাৰ সময়ত হাতীয়ে নিতাল মাৰি মনোযোগেৰে শুনি থাকে। এইদৰেই দিনত দুঘণ্টামানকৈ শিকনি দিয়ে। আকৌ সন্ধ্যাৰ পিছৰ পৰা ৰাতি ১০মান বজালৈকে হাতী শিকোৱা মাউতহঁতে হাতত জুইৰ জোঁৰ আৰু ভগা ঢোল, ভগা টিং বজাই ২ খামাৰিত বান্ধি থোৱা অৱস্থাতে বনৰীয়া হাতীৰ গা মোহাৰি মোহাৰি ভয় ভাঙে আৰু জাতি কৰে। ২০।২৫ দিনতকৈয়ো কম দিনতে হাতীয়ে শিকনি লয়। তাৰ পাছত অকলে অকলে ইচ্ছামতে লৈ ফুৰিব পাৰে। যেতিয়া ঘা আদি শুকাব আৰু ভালকৈ শিকনি লব তেতিয়া "বইট" আদি বাকী আন আন কাম শিকাই লয়।

এনে এবিধ ডাঙৰ বনৰীয়া জন্তুক ইমান কম সময়তে শিকনি বা পোহ মনাই লব পৰাত অতি প্ৰীতি বোধ হয়। ই সন্মোহনত হোৱা দৰেহে লাগে। হাতীৰ এই শিক্ষাত মানুহেও সঁচাকৈয়ে লাজ পাব লগীয়া হয়। ২০।২৫ দিনতকৈও কম সময়তে হাতীয়ে শিকনি লয়। তাৰ পিছত লগৰ পৰা কুন্‌কী হাতী একৰাই যেতিয়া বনৰীয়া হাতীটো

অকলে ইচ্ছামতে লৈ ফুৰিব পাৰে তেতিয়া তাক "টকা-চুৰ" হোৱা বোলে।

অসমত হাতী মহল বহুত আছে। তাৰ ভিতৰত উত্তৰ পাৰে ভোটান মহল, দক্ষিণ পাৰে কাছাৰ মহল, দৈয়াং মহল,—চাচনিজয়পুৰ মহল, বেতনি মহল, সদিয়া মহল, আৰু খাচিয়া জয়ন্তীয়া মহলেই প্ৰধান। ওপৰত কোৱা প্ৰথামতে মহলবোৰৰ পৰা বছৰি বহুত হাতী শিকাই বেচা-কিনা কৰে। এই অসমৰ পৰা ভাৰতৰ বহুত ঠাইলৈকে হাতী ৰপ্তানি হয়। বিশেষকৈ পশ্চিমীয়া বেপাৰী আহি বহুত হাতী হৰিহৰচ্ছত্ৰ মেলা, কুম্ভমেলা প্ৰভৃতি ঠাইলৈ নি হাতী বেপাৰ কৰেগৈ। মধ্য আৰু দক্ষিণ ভাৰতৰ পৰাও বহুত জমিদাৰে মানুহ পঠাই হাতী নিয়ায়। সচৰাচৰ তেনে দূৰণি ঠাইলৈ সৰু সৰু হাতী বোৰহে (ৰেলত বুকহোৱা) চালান হয়। বাকী ডাঙৰ হাতীবোৰ ছিলেটৰ কাঠৰ বেপাৰী আৰু অসমীয়া ধনী সকলে কিনি কাৰবাৰ চলায়। আগেয়ে হাতী বুজি একোটা নতুন হাতীৰ দাম ৮০০৲ টকাৰ পৰা ৩৫০০৲ টকালৈকে হৈছিল; কিন্তু এতিয়া বজাৰ পৰি যোৱাত ৫০০৲ টকাৰ পৰা ১৫০০৲ টকাৰ ভিতৰত ৰৈছে।

হাতী চিকাৰৰ কাৰবাৰটো এটা সৰু-সুৰা কোম্পানীৰ কামৰ দৰে চলায়। সেই বিষয়ে আভাস দিবলৈকো মন থাকিল। বৰ্ত্তমানে নিৰস প্ৰবন্ধ দীঘলীয়া হোৱাত ইমানতে সামৰিলোঁ।

অষ্ট্ৰেলিয়া ভ্ৰমণ

[আয়োজন]

— শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বি-এ

শুনিবলৈ পালোঁ যে ১৯৩৪ খৃষ্টাব্দৰ ২৭ ডিচেম্বৰৰপৰা ১৯৩৫ খৃঃ অঃ ৰ ৭ জানুৱাৰীলৈকে অষ্ট্ৰেলিয়া মহাদ্বীপৰ ভিক্টোৰিয়া প্ৰদেশৰ প্ৰধান নগৰী মেল্‌বোৰ্ণৰ ওচৰত থকা ফ্ৰেঙ্ক্‌ষ্টন্ চহৰৰ ওচৰত 'ৱাৰ্লড্ জাম্বৰী' অৰ্থাৎ পৃথিবীৰ স্কাউট প্ৰতিনিধিসকলৰ মহামেলা বহিব। তালৈকে অষ্ট্ৰেলিয়াৰ স্কাউট সঙ্ঘে অন্যান্য দেশৰ স্কাউট সঙ্ঘ বিলাকলৈ নিমন্ত্ৰণী চিঠি দিছে। নিখিল ভাৰতৰ স্কাউট-সঙ্ঘ সংগঠনকাৰী সম্পাদক মহোদয়েও নতুন দিল্লীৰপৰা সকলো প্ৰদেশৰ আৰু দেশী-ৰাজ্যবিলাকৰ সঙ্ঘবিলাকক জনাই দিছে যে যিসকলে নিজ খৰচত গৈ সেই জাম্বৰীত যোগদান দিব খোজে সেই সকলে ১৯৩৪ খৃঃ অঃ ৰ ১৫ জুলাইৰ আগতে নতুন দিল্লী পোৱাকৈ দৰখাস্ত কৰিব লাগে।

অসমৰ স্কাউট সঙ্ঘ সংগঠনকাৰী সম্পাদক মহোদয়ৰ পৰা এই খবৰ পাই সাগৰ-যাত্ৰাৰ আশাই মোৰ মন অধিকাৰ কৰি পেলালে। যি কোনো নতুন ঠাই চোৱাৰ সুযোগ পালেই সহজে সেই সুযোগ এৰিবৰ মোৰ মন নাই। বিশেষতঃ পৃথিবীৰ স্কাউট প্ৰতিনিধিসকলৰ মহামেলা; তাত নানা দেশৰ শিক্ষিত ডেকাসকলৰ সমাবেশ হব; সকলোৱে এক ধৰ্ম্মাৱলম্বী (অৰ্থাৎ স্কাউট ধৰ্ম্মাৱলম্বী) হৈ ভাই ভাই ভাবে পৰস্পৰে সাদৰ সম্ভাষণ জনাব; নানা দেশৰ ভাষা, সমাজ, ধৰ্ম্ম, ৰীতি-নীতি আৰু বৰ্ত্তমান্ চিন্তা

সোঁতৰ ধাৰা কি ভাবে প্ৰবাহিত হৈছে তাৰ অলপ ২ আভাস পোৱা যাব; নানা ঠাই ফুৰি যি সুযোগ পোৱা টান সেই সুবৰ্ণ সুযোগ একে ঠাইতে মিলিব; বহুদিনৰ কল্পনাৰ সমুদ্ৰ-যাত্ৰা বাস্তৱত পৰিণত হব; তদুপৰি ভাৰতৰ নানা ভাষাভাষী, নানা ধৰ্ম্মাৱলম্বী ভাইসকলে জগতৰ ডেকাসকলৰ সভাত, ভাৰতীয় মহা মিলনৰ প্ৰমাণ দিবৰ সুযোগ পাব। মোৰ পক্ষে ইয়াতকৈ আৰু কি ডাঙৰ হাবিয়াস হব পাৰে! এইবিলাক ভাবি-চিন্তি মন উতলা হৈ উঠিল। যদিও খৰচৰ কথা ভাবিলে মন সঙ্কুচিত হয় তথাপি মৰণত শৰণ দি 'জাম্বৰী'লৈ যাম বুলি দিল্লীলৈ আবেদন জনালোঁ।

এই কথা শুনি বন্ধু-বান্ধৱৰ ভিতৰত বহুতে আহি হকা-বাধা কৰিবলৈ ধৰিলে। কিছুমানে আহি ভবিষ্যৎ লাভালাভৰ বিষয়ে প্ৰশ্ন কৰিবলৈ ধৰিলে; মই সন্তোষ-জনক উত্তৰ দিব নোৱাৰিলে বিৰক্তি প্ৰকাশ কৰিবলৈ ধৰিলে। দুই এজনে আকৌ অষ্ট্ৰেলিয়াৰ গোটেইখিনি জনা হৈ তালৈ যোৱাৰ অসাৰ্থকতা প্ৰমাণ কৰিবৰ চেষ্টা কৰিবলৈ ধৰিলে। দুই এজনে সমাজৰ কঠোৰ শাসনৰ কথা সোঁৱৰাই দিলে। দুই এজনে কিন্তু ভবিষ্যত কাল্পনিক লাভৰ আশা দেখুৱাই যাবলৈ অলপ উৎসাহো দিলে। বন্ধু-বান্ধৱে এইবোৰ কথা পাতিব ধৰিলে মোৰ পেটে-পেটে খং উঠে। কাৰো কোনো যুক্তিয়েই মোৰ কাণত সোমাব নোখোজে। তেওঁলোকে কথা কৈ থকাৰ লগে লগে গীতাৰ—'কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন'। এই অমূল্য বাণী আহি মনত পৰে। তেতিয়া লাভালাভৰ যুক্তি-তৰ্কই মনৰ কোনো ৰকমৰ পৰিৱৰ্ত্তন ঘটাব নোৱাৰে।

লাহে ২ জাম্বৰীলৈ যোৱাৰ আয়োজন কৰিবলৈ এখন এখনকৈ চিঠি আহিব ধৰিলে। পাঞ্জাবৰ স্কাউটদল সংগঠনকাৰী সম্পাদক মহোদয় মিঃ হগ্ চাহাব জাম্বৰীলৈ যোৱা ভাৰতীয় স্কাউট দলৰ নেতা নিযুক্ত হ'ল। লাহোৰ চহৰৰ ওচৰত ৱাল্‌টন্ ট্ৰেইনিং স্কুল ৰেলৱে ষ্টেশ্যনৰপৰা পোৱা মাইলমান দূৰৈত সেই দলৰ মিলন শিবিৰ পাতিলে। নিখিল ভাৰতৰ স্কাউট প্ৰতিনিধিসকল তাত একত্ৰিত হৈ ১লা নবেম্বৰৰপৰা ৭ নবেম্বৰলৈ জাম্বৰীত দেখুৱাবৰ কাৰণে নানা ৰকমৰ খেলা, নাচ-গান ইত্যাদি শিক্ষা কৰাৰ আয়োজন কৰিবলৈ ধৰিলে। জাম্বৰী প্ৰদৰ্শণিত দেখুৱাবৰ কাৰণে প্ৰতিনিধিসকলক দেশীয় বস্তু লবলৈ জনাই দিলে। মই এড়ি আৰু মুগাৰ কাপোৰ কিছুমান আৰু কাঁহৰ বাচন কেইখন মান ফৰমাইচ দি যোগাৰ কৰি ললোঁ। হাতী দাঁতৰ বন কিছুমানৰ ফৰমাইচ দিছিলোঁ, কিন্তু দুখৰ বিষয় কোনেও সময়মতে নিদিলে।

জাম্বৰীত থকা কেইদিনৰ খোৱা খৰচৰ বাবে ৪০৲ টকা পঠাবলৈ আদেশ আহিল; সময়মতে পঠিয়াই দিলোঁ।

তাৰ পিছত লাহোৰৰ শিক্ষা শেষ হোৱাৰপৰা আৰম্ভ কৰি কলম্বোত গৈ জাহাজত উঠালৈকে প্ৰত্যেক দিনৰ কাৰ্য্য-বিৱৰণী, লগত কি কি সাজ-পাৰ, বাচন-বৰ্ত্তন নিব লাগিব তাৰ তালিকা, আৰু অন্যান্য আৱশ্যকীয় খবৰবিলাক যেনে—অষ্ট্ৰেলিয়াত সদায় স্কাউটৰ সাজত থাকিব লাগিব, কাঁটা, চামোচেৰে খোৱা অভ্যাস কৰিব লাগিব ইত্যাদি এটা এটাকৈ আহিবলৈ ধৰিলে। লগতে জনাই দিলে যে শ্বেতাঙ্গৰ বাহিৰে অন্যাঙ্গৰ স্কাউটবিলাকক জাম্বৰী উপলক্ষে অষ্ট্ৰেলিয়াত ছয় মাহলৈ থাকিবলৈ অষ্ট্ৰেলিয়াৰ 'কমন্-ৱেল্‌থ গৱৰ্ণমেণ্টে' অনুমতি প্ৰদান কৰিছে। এই বিলাকৰপৰা অষ্ট্ৰেলিয়াত জাগতৰ ভ্ৰাতৃত্ব সমৰ্থনকাৰী স্কাউট আন্দোলন কি ধৰণে চলিছে জানিবলৈ বৰ ইচ্ছা হ'ল। আমাৰ দেশলৈ কোনো এজন বিদেশী মানুহ আহিলে তেওঁ ইয়াত কিমান দিন থাকিব পাৰিব নাইবা বং বিশেষে কোন আহিব পাৰিব কোন নোৱাৰিব ইত্যাদি বিষয়ৰ কথা কৰবাত আছে যদিও আমি তাৰ গমকে নাপাওঁ। কলিকতালৈ গ'লেই জগতৰ সকলো দেশৰ মানুহ দেখিবলৈ পাওঁ। গতিকে শ্বেতাঙ্গৰ বাহিৰে অন্যাঙ্গৰ স্কাউটবিলাকক ছয় মাহ থাকিবলৈ অনুমতি দিয়া দেশখন নো কেনেকুৱা চাবলৈ প্ৰবল ইচ্ছা জন্মিল।

'এবাৰডিন্' আৰু 'কমন্-ৱেল্‌থ' জাহাজ কোম্পানীৰ লগত প্ৰত্যেক স্কাউটৰ কলম্বোৰপৰা মেল্‌বোৰ্ণলৈ যোৱা-অহা ভাড়া ৪০০৲ টকা ঠিক কৰি সেই টকা ১৫ চেপ্টেম্বৰৰ আগতে নতুন দিল্লী পোৱাকৈ পঠিয়াবলৈ নিখিল ভাৰতৰ

স্কাউট সংগঠনকারী সম্পাদকে জনাই দিলে। তার লগতে জনালে যে পাছ পোর্টৰ (Passport) কাৰণে তৎক্ষণাৎ দৰখাস্ত কৰিব লাগে আৰু টিকা লৈ নিদৰ্শন-পত্ৰ (certificate) এখন লগত লৈ যাব লাগে।

এই চিঠিখন ১৩ চেপ্টেম্বৰত পাই কিং-কৰ্ত্তব্য-বিমূঢ় হৈ পৰিলোঁ। জাহাজ ভাড়া পঠিয়াবলৈ মাত্ৰ দুদিন বাকী; তেতিয়াও মোৰ চাকৰিৰপৰা (শিক্ষকতা) জাৱৰীলৈ যাবলৈ কি ধৰণৰ ছুটী দিব তাৰ কোনো মীমাংসা হৈ অহা নাই। নিৰুপায় হৈ ডিৰেক্টৰ চাহাবলৈ ছুটী সম্পৰ্কে এখন টেলিগ্ৰাম কৰিলোঁ। আৰু টিকা লৈ নিদৰ্শন পত্ৰ এখন যোগাৰ কৰি ৰাখিলোঁ। পাছ পোর্টৰ কাৰণেও এখন দৰখাস্ত কৰিলোঁ।

দিল্লীলৈ জাহাজ ভাড়া পঠিয়া দিন উকলি গ'ল, তথাপি ডিৰেক্টৰ চাহাবলৈ কৰা টেলিগ্ৰামৰ কোনো উত্তৰেই নাই। ছুটীৰ ঠিক নোহোৱাকৈ জাহাজ ভাড়াই বা পঠিয়াওঁ কি সাহেবে? গতিকে হতাশ হৈ নোযোৱাটোকেই ঠিক কৰিলোঁ।

ইয়াৰ কিছুদিনৰ পিছত মোক জাৱৰীলৈ প্ৰতিনিধি স্বৰূপে পঠোৱা সম্পৰ্কে গৱৰ্ণমেণ্টলৈ লিখিছে কিন্তু তাৰ কোনো উত্তৰ পোৱা নাই, এই বুলি ডিৰেক্টৰ চাহাবে হেড মাষ্টৰ মহোদয়ক জনালে। সেই খবৰ পাই মোৰাৰ আশা একেবাৰে নিৰ্মূল হোৱা নাই যেন লাগিল।

তাৰ পিছত আশাতেই দিন যাবলৈ ধৰিলে। চাৰিও ফালে চিঠি লিখিলোঁ; কিন্তু কোনো ফালৰপৰা সঠিক খবৰ নাপালোঁ। হঠাৎ ২৪ অক্টোবৰত নিখিল ভাৰতৰ স্কাউট সংগঠনকাৰী সম্পাদক মহোদয়পৰা এখন টেলিগ্ৰাম পালোঁ। তাত জাহাজ ভাড়া ফিৰৎ ডাকত জমৰ পঠিয়াবলৈ লিখিছে। ইপিনে ডিৰেক্টৰলৈ কৰা টেলিগ্ৰামৰ কোনো উত্তৰ নাপাই হতবুদ্ধি হৈ বহি থাকিম লগাত পৰিছে!

লাহে লাহে আহি ৩০ অক্টোবৰ পালে। লাহোৰলৈ যাত্ৰা কৰাৰ শেষ দিন আছিল ২৭ অক্টোবৰ; কাৰণ ১লা নবেম্বৰৰপৰা মিলন শিবিৰত শিক্ষা আৰম্ভ হব; গতিকে মিলন শিবিৰত যোগদান দিয়াৰো সম্ভাৱনা নোহোৱা হৈ পৰিল। দিল্লীলৈ জাহাজ-ভাড়া পঠিয়াবলৈ দিয়া দুটা দিন উকলি গ'ল; গতিকে সম্পূৰ্ণ নিৰাশ হৈ সংসাৰৰ অন্যান্য কামত মন দিলোঁ।

থাই-বই উঠি স্কুললৈ গৈ শ্ৰেণীত পঢ়াই আছোঁ এনেতে পিয়নে আনি হাতত এখন টেলিগ্ৰাম দিলে। টেলিগ্ৰামখন খুলি চাই দেখিলোঁ—ডিৰেক্টৰ চাহাবে যিমান সোনকালে পাৰো সিমান সোনকালে গৈ লাহোৰৰ মিলন শিবিৰত যোগদান দিবলৈ আদেশ দিছে। বিধুদ্ধি হৈ টেলিগ্ৰামখন হাতত লৈ হেডমাষ্টৰ মহোদয়ৰ ওচৰ পালোঁ গৈ। ঠিক সেই সময়তে তেখেতেও এখন টেলিগ্ৰাম খুলি লৈ পঢ়ি ধৰিছে। সেইখনত ডিৰেক্টৰ চাহাবে তৎক্ষণাৎ মোক স্কুলৰ কামবপৰা আজৰি দিবলৈ তেখেতক আদেশ দিছে।

ভাবি-চিন্তি ঠিক কৰিলো যে দিল্লীলৈ এখন টেলিগ্ৰাম কৰি জাহাজ ভাড়া পঠিওৱাৰ সময় আছে নে নাই সুধি আন এখন টেলিগ্ৰাম কৰি ডিৰেক্টৰ চাহাবক পাছ পোর্টখন লাহোৰলৈ পঠিয়াবলৈ অনুৰোধ কৰা য'ক। সেইমতে দুয়োফালে টেলিগ্ৰাম কৰা হ'ল; কিন্তু কোনো ফালৰপৰা একো উত্তৰ নাহিল। লাহে লাহে ১লা নবেম্বৰ পালেহি। ভাবি-চিন্তি থকাৰ আৰু সময় নাই; অদৃষ্টৰ ওপৰত নিৰ্ভৰ কৰি টেলিগ্ৰাম মনিঅৰ্ডাৰযোগে জাহাজ ভাড়া দিল্লীলৈ পঠিয়াই দি লাহোৰলৈ যাত্ৰা কৰাটোকেই স্থিৰ কৰিলোঁ।



কবিতা—

প্ৰলাপ

—শ্ৰীযুত গণেশ চন্দ্ৰ গগৈ

অকণৰ কত হিৰণ কিৰণ আকাশী জোনৰ কণাকণী কণ,
অকালতে আজি নিঠুৰ নিবস কোন যাদুকৰে কৰিলে লোপ?
এই নীলিমাতে দেখিছিলোঁ কত কোটি তাৰকাৰ হেতালি পেলা,
গোজৰণি মৰা কলিয়া মেঘৰ বলিয়া জাননী বাৰিষা বেলা।
স'উ সৰগীত নিবলে নিজানে ফুলিছিলে কত পদুম ফুল,
মতলীয়া হোৱা কলিয়া অলিৰ একেটি চুমাতে হেৰালে কুল!
মাধৱী লতাৰ সাৱটা-সাৱটি, আকাশী লতাৰ সোণালি সাজ
দুয়োটিয়ে মিলি গাঁথিছিলে দেহি, লাজুকী লতাৰ লাহৰি বাজ;
সেই প্ৰেমময়ী, শ্যামলা ধৰণী, কাঢ়ি নিলে তোৰ মহিমা কোনে,
কোন ফাগুনৰ নিলাজ পৰনে, কোন শৰতৰ পপীয়া জোনে?

* * * *

নাই নিয়া কাঢ়ি, কাঢ়ি নিব কোনে, যিখিনি আছিল সকলো আছে
সেই অকণৰ সোণ-ঝিলিকনি জোন, তাৰকাই আজিও নাচে।
আজিওতো হাঁহে পদুম বনত কণহী পদুম পাহিটি মেলা,
আজিওতো আহে কলিয়া ভোমোৱা প্ৰিয়া পৰশন পাবৰ বেলা,
কলিয়া কুলিৰ সেই একে সুৰে আজিওতো কৰে বলিয়া ধৰা,
তটিনীৰ তীৰে এতিয়াও কৰে প্ৰণয়ীৰ হিয়া প্ৰেমেৰে ভৰা।

* * * *

তুমি এৰি গলা, তোমাৰ লগতে নিলানে কি সখি সকলো কণ?
তুমি নহলতে মোহন মেণাৰ বিপুল মাধুৰী পালেনে লোপ?
নিলা যদি নিলা; কাৰ ক্ষতি হল?—এন্ধাৰতে বহি কটাম কাল
নালাগে মিলন, ৰূপ-ছায়া-ছবি; বিৰহ বেদনা, সিয়েই ভাল।
নাও বন্ধা আছে, পাল তৰা আছে, নিজে ওবিঠা হাতত লৈ,
এন্ধাৰে-যুদ্ধাৰে নাও মেলি দিম ৰাতি দুপৰীয়া অকলে গৈ!
তুমি ভাবিছিলা, তোমাকেই ভাবি ৰচিম কবিতা নিবলে বহি,
ধ্যান কৰি ৰ'ম তোমাকে ছবিটি আশা-নিৰাশাৰ যাতনা সহি?
ভুল সখি ভুল, নাই সেই ভাব; আজি আছে মাথো প্ৰলাপ ঘোৰ,
আৰু আছে বাকী সলিল-সমাধি, অনন্ত প্ৰেমৰ মিলন-পুৰ!

মহিলা জগত



মিচেচ আই-এ বিচার্ড—গুৰু পৰ্ব্বত বগোৱাত স্থবিপুনা তিবোতা

সম্পাদকীয়

পাটলিপুত্রত পুৰণি পয়ঃ প্রণালী (কাঠেৰে সজা)

আজিকালি পুৰাতত্ত্ব বিভাগৰপৰা চাৰিউ ফালে মাটি খান্দি মাটিৰ তলৰপৰা পৌৰাণিক যুগৰ চিন আবিষ্কাৰ কৰিবলৈ বিশেষ চেষ্টা চলিছে। পাটনা চহৰৰ আৱঞ্জানী দৰগাৰপৰা কুমড়াৰ চোলাই খালিংকে মি আলিটো গৈছে, তাৰ ওচৰে-কাষে পৌৰাণিক যুগৰ চিন আবিষ্কাৰৰ কাৰণে কিছুমান দিনৰেপৰা যত্ন চোৱা হব লাগিছে। ইয়াৰ ভিতৰতে ভূগৰ্ভ খননৰ ফলত কিছুমান পৌৰাণিক যুগৰ বস্তু উদ্ধাৰ হৈছেও।

অনুসন্ধান কৰোতাসকলৰ মতে এতিয়াও কুমড়া আৰু বুলান্দিবাগৰ মাজত পাটলিপুত্রৰ বহু ধ্বংসাৱশেষ আছে। বৰ্ত্তমানে খন্দাৰ ফলত এটা কাঠেৰে সজা 'পয়ঃ প্রণালীৰ' সন্ধান পোৱা গৈছে। তাৰপৰা পৌৰাণিক যুগৰ পাটলিপুত্র নগৰ নিৰ্ম্মাণ পদ্ধতি কেনে ধৰণৰ আছিল, তাৰ এটা আভাস পোৱা যায়। এতিয়ালৈকে বিমানদুৰ খনন কৰা হৈছে, তাতে সেই পয়ঃ প্রণালীৰ প্রায় পঁচিশ ফুটমান ঠাই আবিষ্কৃত হৈছে। শ শ বছৰ অতীত হৈ তথাপি সেই নলাৰ মুখ ঠিক আছে। ডাঙৰ ডাঙৰ কাঠৰ চতি আৰু তক্তাৰে পয়ঃ প্রণালীটো গঠিত হৈছিল। প্রতিটো জোৰা দিয়া ঠাইত কাঠৰ ডোখৰ আৰু গজাল দি দীৰ্ঘস্থায়ী কৰিবৰ চেষ্টা হৈছিল। বোধহয় নগৰৰ মহলা পানী উলিয়াই দি এটা ডাঙৰ খাল'ত পেলাই দিবৰ কাৰণে এই নৰ্দ্দমাটো সজা হৈছিল। কাৰণ বুলান্দিবাগত এই ধৰণৰ এটি খাল'ৰ সন্ধান ইয়াৰ আগতে পোৱা গৈছে। পাটলিপুত্র নগৰৰ ময়লা বাহিবলৈ উলিয়াবৰ নিমিত্তে যি ব্যৱস্থা আছিল, এই কাঠৰ নলাটো সম্ভৱতঃ তাৰেই এটি অংশ। গঙ্গাৰ পানী যেতিয়া বঢ়ত তললৈ নামি যায় তেতিয়া চুলতান গঞ্জৰ ওচৰত এই পানী যোৱা নৰ্দ্দমাটোৰ এটা মুৰ দেখিবলৈ পোৱা যায়। কিছুদিন আগতে বুলান্দিবাগতো মাটি খান্দি ইয়াৰ চিন পোৱা গৈছিল।

পাটনা চহৰৰ কদমকুৱা, বাকৰ গঞ্জ, ভিকনা পাহাৰী আৰু বমন্স অঞ্চলত মুদ্রা, কাঁহি, বাচন আদি প্রাচীন পাটলিপুত্রৰ বহু স্মৃতি চিহ্ন পোৱা গৈছে। সবহ ভাগেই প্রায় ২০ ফুট মাটিৰ তলত পোৱা গৈছিল। উদ্ধাৰ কৰা বস্তুবিলাক পাটনা মিউজিয়মত থৈ দিয়া হৈছে। আজি গোটেই ভাৰতত কিমান যে প্রাচীন সম্পদ লুকাই আছে তাৰ হিচাব লব কোনে?

অসমত পুৰাতত্ত্ব বিভাগৰ কাম অলপতে আৰম্ভ হব বুলি শুনিবলৈ পোৱা যায়। ইয়াত ৰীতিমতে অনুসন্ধান চলিলে মহাভাৰতৰ যুগৰ কিয় তাৰ আগৰ যুগৰো বহু লুপ্ত বস্তু আবিষ্কাৰ হব বুলি আমাৰ বিশ্বাস।

১৪, জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাস প্রেছ লিঃত ডাঃ দীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

৫২৮২/আ:
১১.৫.৯৯



চিত্র—জোনাকি নিশা

জোনাকি নিশা
ভূমেন্দ্র গুহ, ইণ্ডিয়া প্রেছ, কলিকতা

৫২৮২/অ:

আৱাহন



৬ষ্ঠ বছৰ, ১০ম সংখ্যা] শাওণ [১৮৫৭ শক

নৃ-তত্ত্ব

—শ্ৰীযুত বিকাশচন্দ্ৰ গোহাঞি এম্-এ

জগত পৰিবৰ্ত্তনশীল। গতিকে এই জগতত থকা সকলো বস্তু আৰু জীৱ-জন্তুৰ অৱস্থা সময়ৰ সৌতত পৰিবৰ্ত্তন হৈ আছে আৰু থাকিবও। এনে কিছুমান পৰিবৰ্ত্তন আমালোকে চকুৰ আগতে দেখিবলৈ পাওঁ, আৰু কিছুমানৰ পৰিবৰ্ত্তন ইমান লাহে লাহে হৈ আছে যে তাৰ অৱস্থা সম্পূৰ্ণৰূপে সলনি হবলৈ হেজাৰ হেজাৰ বছৰ লাগে।

এই আলোচ্য, Anthropology বা নৃতত্ত্ব বিষয়টো আমাৰ বহুতৰ মাজত অপৰিচিত। সেইদেখি যিমানে পৰা যায় তাৰ এটা চমু আভাষ মাত্ৰ দিবলৈ চেষ্টা কৰা হব।

Anthropology শব্দটো গ্ৰীক ভাষাৰ পৰা অহা। গ্ৰীক ভাষাত Anthropos মানে মানুহ আৰু Logos মানে বিজ্ঞান, অৰ্থাৎ Anthropology মানে নৃ-বিজ্ঞান। এই নৃতত্ত্ব বিষয়টো আমালোকৰ দেশত একেবাৰে কেচুৱা অৱস্থাত আছে; কিন্তু য়ুৰোপ আৰু আমেৰিকা মহাদেশত বহুত নৃতত্ত্ববিদে অশেষ চেষ্টা কৰি এই বিজ্ঞানক বহুতৰ মাজত সুপৰিচিত কৰিব পাৰিছে।

জীৱ জগতৰ ভিতৰত শ্ৰেষ্ঠ জীৱ হৈছে মানুহ। এই শ্ৰেষ্ঠ জীৱ মানুহৰনো উৎপত্তি কিহৰ পৰা হ'ল এই প্ৰশ্নৰ মীমাংসা কৰিবলৈ বহুত বৈজ্ঞানিকে অহোপুৰুষাৰ্থ কৰি আহিছে। আৰু চাৰলছ ডাৰৱিন (Charles Darwin)ৰ

দিনৰপৰাই এই প্ৰশ্নৰ এটা মোটা-মোটি মীমাংসা ঠিক হৈছে। ডাৰৱিন (Darwin)ৰ আগতে বেলেগ বেলেগ বৈজ্ঞানিকৰ বেলেগ বেলেগ মত আছিল। ক্ৰমবিকাশবাদীবিলাকে বান্দৰৰপৰা মানুহৰ উৎপত্তি বুলি কৈছিল। ইয়াৰ আগতে মানৱ জাতিৰ উৎপত্তিৰ সম্বন্ধে ভিন্ ভিন্ জাতিৰ ধৰ্ম্ম অনুসাৰে ভিন্ ভিন্ মত আছিল। খৃষ্টিয়ানৰ মতে মানুহৰ উৎপত্তি এডাম আৰু ইভ (Adam & Eve)ৰপৰা, হিন্দুৰ মতে 'মনুৰ'পৰা। আমালোকে অসভ্য বুলি কোৱা ছাণ্টাল (Santal), মুণ্ডা (Munda), আন্দামানিজ (Andamanese) আদি আদিম (Primitive) জাতিৰ মতেও ঠিক এনে ধৰণৰে বিশ্বাস। সুসভ্য য়ুৰোপতো ১৫শ শতাব্দীত যেতিয়া গোটেই য়ুৰোপ জুৰি কেথলিক (Catholic) ধৰ্ম্মৰ প্ৰচলন আৰু তাৰ লগতে পোপ (Pope) বিলাকৰ প্ৰতিপত্তি আছিল তেতিয়া মানৱ জাতিৰ এনেকুৱা ধৰ্ম্ম সম্বন্ধীয় অৰ্থাৎ খৃষ্টিয়ান ধৰ্ম্ম সম্বন্ধীয় উৎপত্তিৰ বিৰুদ্ধে যদি কোনোবাই কোনো মত প্ৰচাৰ কৰিছিল তেন্তে তেওঁক heretic বুলি জুইত পুৰি মাৰিছিল। সকলোৱেই সেই ভয়তে এডাম আৰু ইভ (Adam & Eve)ৰপৰা মানুহৰ উৎপত্তি এই অন্ধ বিশ্বাস পোষণ কৰিছিল। সেই সময়ত পোপ (Pope) বিলাক (Spritual head) থকাৰ গতিকে তেওঁলোকৰ কথাবিলাক বেদ-বাক্যৰ দৰে পালন কৰিছিল। কিন্তু সময়ত কেথলিক (Catholic) ধৰ্ম্মৰ প্ৰভাৱ কমি অহাত আৰু তাৰ লগে লগে ধৰ্ম্মযাজক বিলাকৰো প্ৰতিপত্তি কমি অহাত যিবিলাক নৃতত্ত্ববিদে এই অন্ধ বিশ্বাসৰ বিৰুদ্ধে থিয় হৈছিল তেওঁলোকে নিজৰ বৈজ্ঞানিক প্ৰণালীত গৱেষণা কৰি মানুহৰ উৎপত্তি কিহৰ পৰা তাক স্থিৰ কৰে। এই নৃতত্ত্ববিদ্‌সকলৰ ভিতৰত ক্ৰমবিকাশবাদীৰ মতে মানুহৰ উৎপত্তি বান্দৰৰ পৰা ; কিন্তু ডাৰৱিনে তেওঁৰ "অৰিজিন অব্ স্পেছিছ (Origin of species) ত প্ৰথমে প্ৰমাণ কৰে যে মানুহৰ উৎপত্তি বান্দৰৰপৰা নহয়, বৰং মানুহ আৰু বান্দৰৰ উৎপত্তি একোটি অ-বিশিষ্ট কাল্পনিক মানুহৰ জাতিৰপৰা (From one undifferentiated generalised anthropoid stock)। বাহ্য প্ৰকৃতিৰ কঠিন প্ৰভাৱ আৰু তাৰ লগতে পৰিৱৰ্ত্তনশীল পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত খাপ খুউৱা অসম্ভৱ দেখি দৈহিক আৰু বৈজিক (germinal) পৰিৱৰ্ত্তন সাধন কৰিব নোৱাৰি সেই অ-বিশিষ্ট মানুহ কাল্পনিক পৰিয়ালৰ এটা ডাল ক্ৰমোন্নতিৰ সোপানত অগ্ৰসৰ হব নোৱাৰি ক্ৰমে পাৰিপাৰ্শ্বিক প্ৰাকৃতিক (natural environment) অৱস্থাৰ প্ৰভাৱত আন ৰকম দৈহিক আৰু বৈজিক (germinal) পৰিৱৰ্ত্তন ঘটি বান্দৰত পৰিণত হল। এই বান্দৰৰ ডালটো আকৌ অ-বিশিষ্ট মানুহ কল্প ডালৰ পৰা বেলেগ হৈ ক্ৰমোন্নতিৰ সোপানত উঠি যাওঁতে পৰিৱৰ্ত্তণশীল নৈসৰ্গিক অৱস্থাৰ লগত যুঝিব নোৱাৰি উন্নতিৰ সোপানৰপৰা পথভ্ৰষ্ট হৈ অৱনতিৰ অৱস্থাত পৰি ৰ'ল আৰু পাৰিপাৰ্শ্বিক প্ৰাকৃতিক অৱস্থাৰ প্ৰভাৱত বিভিন্ন বনমানুহত (anthropoid apes) যেনে চিম্পেঞ্জী (Chimpanzee), গৰিলা (Gorilla), ওৰাং (Orang) আদিত পৰিণত হ'ল। ইফালে অ-বিশিষ্ট মানুহ কল্প ডালৰ বেছি উদ্যমশীল জীৱবিলাকে পৰিৱৰ্ত্তনশীল পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত নিজৰ প্ৰাকৃতিক আৰু ঐন্দ্ৰয়িক নিৰ্ব্বাচনৰ (natural and organic selection) পৰা প্ৰয়োজনীয় দৈহিক আৰু বৈজিক পৰিৱৰ্ত্তন (germinal variation) মিলাই মানুহৰ ডাল (Humanoid stem) ৰূপে উন্নতিৰ পোন বাটত ক্ৰমে অগ্ৰসৰ হবলৈ ধৰিলে।

এই মানৱ শাখা (Humanoid stem) বান্দৰৰ ডালটোৰপৰা পৃথক হৈ ক্ৰমোন্নতিৰ পথত কেনেকৈ অগ্ৰসৰ হ'ল তাকে চোৱা যাওক।

ভূতত্ত্ববিদসকলে পৃথিবীক ৪টা যুগত ভাগ কৰিছে। এই ৪ যুগৰ আগতে আৰু এটা যুগ কৰিছে, তাক Azoic বা প্ৰাণীহীন যুগ বোলে।* কাৰণ তেতিয়া কোনো প্ৰাণীৰেই জীৱন বন্তি আৰম্ভ হোৱা নাছিল। ৪ যুগৰ ১ম যুগটোক Primary (Palaeozoic) বা আদিযুগ বোলে। এই যুগত কেৱল সাপ জাতীয় আৰু বেং জাতীয় জীৱৰ বাস আছিল। এই যুগ ২৬ লাখ বছৰৰ আগেয়ে

* H. G, Wells ৰ মতে এই যুগৰ সময় ৮০ লাখ বছৰৰ আগেয়ে আছিল।

আছিল। ২য় যুগ Secoadary (Mesozoic) বা মধ্যযুগত চৰাই জাতীয় প্ৰাণী বাস কৰিছিল। এই যুগৰ সময় বৰ্ত্তমান সময়ৰপৰা ১৪ লাখ বছৰৰ আগেয়ে আছিল। ৪ লাখ বছৰৰ আগৰ ৩য় যুগ বা Tertiary যুগত মেমেল্ (mammal) জাতীয় বা মেৰুদণ্ড থকা আৰু পোৱালিক পিয়াহ খুওৱা জীৱবিলাক বসতি কৰিছিল। শেহৰ যুগক Quaternary বা ৪ৰ্থ যুগ বোলে আৰু এই যুগতেই মানৱ শাখাৰ উৎপত্তি হয়।

ভূতত্ত্ববিদ্‌সকলে মাটিৰ তলত পৰি থকা পুৰণি কলীয়া জীৱ-জন্তুৰ জঁকা আদি (fossils) পৰীক্ষা কৰি এই সিদ্ধান্ত কৰি উলিয়াইছে যে ৩য় যুগৰ (Tertiary period) Pliocene বা শেষ অন্তৰ্যুগত এই অ-বিশিষ্ট কাল্পনিক মানুহৰ গোষ্ঠীৰ (undifferentiated generalised onthropoid stock) পৰা এটা ডাল বেলেগ হৈ উন্নতিৰ পথত আগুৱাব নোৱাৰি মানৱ ডালৰ এটা ঠেঙুলি (offshoot) হৈ যাভা দ্বীপৰ (Java) Trinil মানুহ বা Pithecanthropus Erectus জাতিত প্ৰাক মানৱত (Pre-man) পৰিণত হ'ল আৰু কালক্ৰমত লুপ্ত হ'ল। এই Trinil বা java man ৰ এটা লাওখোলা (skull), দুটা গুৰিৰ দাঁত আৰু তপিনাৰ হাড় এডাল (femur) Alexander Dufois নামে এজন মানুহে যাভা দ্বীপৰ Trinil নামে ঠাইত আৱিষ্কাৰ কৰে (১৮৯২ চনত)। যদিও লাওখোলাৰ ভিতৰৰ পৰিমাণ (cranial capacity) সাধাৰণ বান্দৰতকৈ ডাঙৰ, তাৰ বাহিৰৰ আন আন লক্ষণবিলাক, যেনে চকুৰ চেলাউৰিৰ তলৰ উঠা হাড় (prominent eyebrow ridges) আৰু কপালহীন (Receding forehead) দেখি ইয়াক সম্পূৰ্ণৰূপে মানুহ জীৱ বুলিব নোৱাৰি। কিন্তু তপিনাৰ হাড়ডাল (Thigh bone) চাই এই Trinil জাতীয় মানুহ কল্প জীৱবিলাক যে আমালোকৰ নিচিনা দুয়ো ভৰিৰ ওপৰত ভৰ দি পোন হৈ খোজ কাঢ়িব পাৰিছিল আৰু সম্ভৱতঃ দুয়ো হাতৰ বুঢ়া আঙুলিৰে সকলো বস্তু ধৰিব পাৰিছিল, তথাপি আমালোকৰ নিচিনা বাক-শক্তিৰ আৰু বুদ্ধিৰ সম্পূৰ্ণ বিকাশ নোহোৱা গতিকে এই মানৱ-কল্পিত জীৱবিলাকক প্ৰাক-মানৱ বা (Pre-man) বোলে।

যাভা মেন (Java man)ৰ বাহিৰে এই মানৱ কল্পিত জীৱৰ আন এটা ঠেঙুলিৰ চিন ইংলণ্ডৰ স্বাস্থ্যেক্স জিলাৰ Pittdown নামৰ ঠাইত পোৱা গৈছে। Pliocene যুগৰ শেষ আৰু ৪ৰ্থ যুগৰ (Quaternery) প্ৰথম অন্তৰ্যুগৰ (Pleistocene) আৰম্ভণিৰ ভূস্তৰত Pittdown মানুহৰ এটা লাভখোলা Dawson নামে এজন ইংৰাজে আৱিষ্কাৰ কৰে। এই লাওখোলা (skull) আকাৰত আৰু গঠনত প্ৰায় আজিকালিৰ মানুহৰ লাওখোলাৰ সমান ; চকুৰ চেলাউৰিৰ তলৰ হাড়ডালো ঠিক আজিকালিৰ মানুহৰ সমানেই উঠা। নাকৰ হাড়কিডালৰ (nasal bones) গঠনলৈ চাই এই Pittdown জাতীয় মানুহৰ নাক আফ্ৰিকাৰ আৰু Melanesian মানুহৰ লগত তুলনা কৰিব পাৰি। লাওখোলালৈ চাই যদিও ইয়াক মানুহ বুলি কব পাৰি তথাপি ইয়াৰ থুঁতৰিহীন (Chinless) হাড়ডাললৈ (Jaw bone) আৰু তাৰ লগৰ দাঁতবিলাকলৈ চাই Chimpanzee ৰ লগত মিলাব পাৰি। গতিকে এই নৰ-বান্দৰ সম্মিলিত জীৱটোকো প্ৰাক-মানৱৰ দলত পেলাব পাৰি।

১৯২৯ চনত প্ৰফেছৰ কীথে (Prof. Keith) চীন (China) দেশৰ Chou-kon-Tein নামে ঠাই এডোখৰত Trinil মানুহৰ সমসাময়িক সময়ত বাস কৰা নৰ-বান্দৰ সংমিশ্ৰিত এটা জীৱৰ লাওখোলা আৱিষ্কাৰ কৰে। লাওখোলাৰ আকাৰ আৰু বাহ্যিক গঠন ঠিক Trinil মানুহৰ নিচিনা। মুখৰ হাড় আৰু দাঁতবিলাক Chimpanzee বান্দৰৰ নিচিনা। গতিকে এই নৰ-বান্দৰ মিশ্ৰিত জীৱক প্ৰাক-মানৱৰ শাৰীত পেলাইছে।

Germany ৰ Heidelberg নামে ঠাইত Heidelberg বিশ্ব বিদ্যালয়ৰ প্ৰফেছৰ Otto Schoetansack Mauerএ এখন নৈৰ দাঁতিত, প্ৰাক-মানৱৰ এডাল মুখৰ হাড় (Jaw) দাঁতবিলাকৰে সৈতে আৱিষ্কাৰ কৰে। মুখৰ

হাড়ডাল আজি কালিৰ মানুহৰ মুখৰ হাড়তকৈ বহুত ৰুগে ডাঙৰ ; কিন্তু দাঁতবিলাকলৈ চাই তাৰ আকৃতি ঠিক মানুহৰ নিচিনা। সেই কা�ৰণে এই বিশেষ ধৰণৰ জীৱটোক। প্ৰাক-মানৱৰ শাৰীত পেলোৱা হৈছে।

এই খিনিতে কোৱা ভাল হব যে এই অ-বিশিষ্ট মানৱ-কল্পিত গোষ্ঠীবপৰা কোন দেশত প্ৰথমে মানুহ পৰিয়ালৰ উদ্ভৱ হ'ল তাক লৈ নানা পণ্ডিতৰ নানা মত দেখা যায়। কোনো পণ্ডিতৰ মতে মানুহৰ গোষ্ঠী প্ৰথমে উদ্ভৱ হয় য়ুৰোপত, কাৰণ ইয়াতেই অতি পুৰণি কলীয়া নানা ৰকমৰ নু-বান্দৰ মিশ্ৰিত জীৱৰ জকা, হাড়-মুৰ আদি পোৱা গৈছে। কিছুমান পণ্ডিতৰ মতে নু-বান্দৰ মিশ্ৰিত জীৱৰ জকা আদি আৰু তাৰ উপৰিও মানুহৰ লগত মিলা ডাঙৰ ডাঙৰ বান্দৰ যেনে Chimpanzee, gorilla আদি anthropoid বিলাকৰ বসতি। কিন্তু বেছিভাগ নু-তত্ত্ববিদ মতে মধ্য এছিয়াই মানৱ গোষ্ঠীৰ উৎপত্তিৰ স্থান। ৩য় যুগত (Tertiary Period) মধ্য এছিয়া বৰ গৰম আৰু হাবি-বননিলে পৰিপূৰ্ণ এখন ঠাই আছিল ; আৰু এতিয়া য'ত হিমালয় পৰ্ব্বতে মুৰ দাঙিছে তাত "টেথিছ-সমুদ্ৰ" (Tethys sea) আছিল। বৰ্ত্তমান ভাৰতৰ বহুত প্ৰদেশ এই Tethys সমুদ্ৰৰ গৰ্ভত সোমাই আছিল। কালক্ৰমত এই সমুদ্ৰবপৰা হিমালয়ৰ পৰ্ব্বত শ্ৰেণী মুৰ দাঙি উঠাত সাগৰবপৰা যি বাষ্প উঠি বৰষুণ হৈ মধ্য এছিয়াক সাৰুৱা কৰি তুলিছিল এতিয়া সেই বাষ্প আৰু বৰষুণ হিমালয় পৰ্ব্বতে পাৰ হৈ যাব নোৱাৰি তাৰ গতি দক্ষিণ পিনে ঢাল ললে। গতিকে মধ্য এছিয়াত বৰষুণ নোহোৱা হৈ লাহে লাহে মৰুভূমিৰ নিচিনা হল আৰু তাৰ লগে লগে সেই ঠাইত বাস কৰা প্ৰাণীবিলাকো লুপ্ত হবলৈ ধৰিলে। কিছুমান প্ৰাণীয়ে এই প্ৰাকৃতিক সাল-সলনিৰ লগত নিজক চম্বালিব নোৱাৰি লুপ্ত হ'ল আৰু কিছুমান প্ৰাণীয়ে এই প্ৰাকৃতিক সাল-সলনিৰ লগত নিজৰ প্ৰয়োজনীয় দৈহিক সাল-সলনি কৰি ৰক্ষা পৰিল। এই বৰষুণবিহীন দেশত গছ-গছনি আদি উদ্ভিদ লুপ্ত হোৱাৰ লগে লগে অ-বিশিষ্ট মানুহ কল্প গোষ্ঠী যি আগেয়ে বান্দৰৰ নিচিনা গছৰ ডালে ডালে বগাই ফল-মূল খাই ফুৰিছিল সি এতিয়া বাধ্য হৈ মাটিলৈ নামিবলগীয়া হোৱাত ছয়ো ভৰিতে ভৰ দি ফুৰিবলগীয়াত পৰিল। এইদৰে গোন হৈ খোজ কাঢ়ি ফুৰাতে হাতৰ বুঢ়া আঙুলিৰ সৈতে আন আন আঙুলিৰ চলন বাঢ়ি অহাত হাতেৰে সৈতে আন কামবিলাক কৰিবলৈ ধৰিলে। এইদৰে এই ভৰিৰে খোজ কাঢ়ি ফুৰা আৰু হাত চলাচল কৰিব পৰা নৰ-বান্দৰ মিশ্ৰিত জীৱেই প্ৰথমে প্ৰাক মানৱত পৰিণত হৈ মধ্য এছিয়াবপৰা নানা দেশত বিয়পি পৰিবলৈ ধৰিলে। কালক্ৰমত এই Tethys সমুদ্ৰৰ গৰ্ভবপৰাই বিশাল ভাৰতবৰ্ষ গঠন হ'ল।

ইয়াৰ ওপৰিও মধ্য এছিয়াতেই যে মানৱ গোষ্ঠীৰ উৎপত্তি ইয়াৰ আৰু কাৰণ হৈছে যে আদিম মানৱ কল্পিত জীৱ (Pre-man) যেনে Pithecanthropus Sinanthropus আদিৰ লাওখোলা হাড় মুৰ আদি এছিয়াতেই পোৱা গৈছে। দ্বিতীয়তে এছিয়াতেই পৃথিবীৰ তিনি বৰ্ণৰ মানুহ, বগা, ক'লা আৰু হালধীয়া পোৱা যায়। তৃতীয়তে এই এছিয়াতেই পৃথিবীৰ ভিতৰত সকলোতকৈ পুৰণি সভ্যতাৰ স্থান। চতুৰ্থতে আধুনিক মানুহৰ (Homo recens) সৰ্ব্বপ্ৰথমে য়ুৰোপীয় প্ৰতিনিধি Cromagnon জাতিৰ কোনো কোনো দৈহিক অংশ মধ্য এছিয়াৰ মানুহৰ লগত মিল দেখা যায়। শেষত আৰু এটি কথা এই যে বহুত পোহনীয়া জন্তুৰ এছিয়াতেই উৎপত্তি ; আৰু ইয়াৰপৰাই ভিন ভিন দেশলৈ এই জন্তুবিলাক লগত লৈ মানুহ গোষ্ঠীৰ দল ভিন ভিন দেশত বিয়পি পৰে।

সি যি হওক, এই ৩য় যুগৰ Pliocene অন্তৰ্গত আৰু চতুৰ্থ যুগৰ (Quaternary) আৰম্ভণিত ভূভৱত এই প্ৰাক-মানৱ নিৰ্ম্মিত কিছুমান পাথৰ নিৰ্ম্মিত মোটা আৰু থহতা অস্ত্ৰ পোৱা যায়। এইবিলাকক Coup de poing বা নাল নলগোৱা হাতকুঠাৰ বোলে। এই অস্ত্ৰবিলাকৰ আকৃতি আৰু গঠন ইমান মোটা আৰু সাধাৰণ (প্ৰায় আকৃতি বিহীন rude) যে তাক সাধাৰণৰ চকুত শিলৰ চপৰা যেন হে লাগিব। সেই কাৰণে এই প্ৰাথমিক

শিলৰ অস্ত্ৰৰ সময়টোক "উষা শিলৰ" (Eoliths) যুগ বোলে।

এই প্ৰাক-মানৱ বা ওৰিৰ মানৱ জাতি যদিও মানৱ শাখাৰ এটা ঠেঙুলি মাত্ৰ, আছল মানুহ (Homo sapiens) বা আজি কালিৰ মানুহৰ (Homo recens) দৈহিক আৰু মানসিক উৎকৰ্ষত তুলনাত নিহঁত কিমান তলত পৰি আছিল তাক নিহঁতৰ জঁকা, লাওখোলা আদি আৰু হাতেৰে তৈয়াৰ কৰা অস্ত্ৰ-শস্ত্ৰবিলাকে প্ৰমাণ দিছে।

৪ৰ্থ যুগ (Quaternary) আৰম্ভ হোৱাত গোটেই পৃথিবী ব্যাপী এটা তুষাৰ যুগ আৰম্ভ হয়। (Ice age) এই তুষাৰ বান য়ুৰোপত ৪ বাৰ আহিছিল। এই ৪ৰ্থ যুগতেই য়ুৰোপত আদি মানৱৰ (Homo primigenius) প্ৰাদুৰ্ভাৰ হয়। এই তুষাৰ যুগৰ ৩য় আৰু ৪ৰ্থ তুষাৰ অন্তৰ্গত (Interglacial period) আৰু ৪ৰ্থ তুষাৰ যুগতেই এই আদি মানৱৰ গোষ্ঠী পৃথিবীৰ ভিন ভিন ঠাইত বিয়পি পৰে। এই জাতীয় মানুহৰ জঁকা আৰু লাওখোলা আৰু তাৰ লগতে নিহঁতৰ শিল নিৰ্ম্মিত অস্ত্ৰ-শস্ত্ৰবিলাক য়ুৰোপ, এছিয়া, আফ্ৰিকা আদি মহাদেশৰ নানা ঠাইত পোৱা গৈছে। য়ুৰোপৰ প্ৰাছিয়া দেশৰ ডুছেলডৰ্ফ (Dusseldorf চহৰৰ Neanderthal নামে পাহাৰৰ গুহাত Pleistocene যুগৰ ভূস্তৰত ডাঃ ফুলৰটে (Dr. Fuhlrott) ১৮৫৬ খৃঃত প্ৰথমে এই আদিম মানৱ জাতিৰ জকা আৰু তাৰ লগত কিছুমান শিলৰ অস্ত্ৰ আৱিষ্কাৰ কৰে। এই ঠাইবপৰাই এই আদিম জাতিৰ নামাকৰণ হয়। এই জাতিৰ মানুহৰ মুৰ বৰ্ত্তমান মানুহৰ মুৰতকৈ ডাঙৰ আছিল, চেগাউৰিৰ ওপৰৰ হাড় বেছি ওলোৱা আৰু কপাল পিছলৈ সোমাই যোৱা আছিল (Retreating forehead) । গালৰ হাড়বিলাকো বৰ ডাঙৰ (massive cheek bones) আৰু ভৰিৰ হাড় কিডালো আজি কালিৰ মানুহৰ নিচিনা পোন নাছিল। মুঠৰ ওপৰত এই মানুহবিলাকৰ চেহেৰাত ওটা 'পশুভাৱ' (brutal looking) ফুটি ওলাইছিল। নাকৰ গঢ়ত এই Neanderthal মানুহ Australian বিলাকৰ লগত মিলাত বহুত নৃতত্ত্ববিদে ভাবে যে এই Neanderthal মানুহবপৰাই আধুনিক Australian জাতিৰ উৎপত্তি। কিন্তু দৈহিক আৰু মানসিক বিষয়ত বহুত অমিল থকাত বহুত পণ্ডিতে এই Neanderthal জাতিক আধুনিক মানুহবপৰা বেলেগ কৰি আদি মানৱ (Homo Primigenius) আৰু তাৰ পিছৰ মানুহক সঁচা মানুহ (Homo sapiens) নাম দিছে।

এই আদিম মানুহ জাতিৰ জঁকাৰ লগত নিহঁতৰ নিজ হাতেৰে তৈয়াৰ কৰা বিবিলাক শিলৰ অস্ত্ৰ পোৱা গৈছে তাক প্ৰাক-মানৱ জঁকা আৰু নিহঁতৰ হাতেৰে তৈয়াৰ কৰা অস্ত্ৰ-শস্ত্ৰবিলাকৰ লগত তুলনা কৰিলে এই আদিম মানুহবিলাক কেৱল যে দৈহিক গঠনত উন্নত আছিল এনে নহয়, নিহঁতে নিহঁতৰ আগৰ প্ৰাক-মানৱতকৈ যে সভ্যতাৰ অধলাৰ ওপৰত আছিল তাক ভালকৈ বুজিব পাৰি। এই Neanderthal জাতিয়েই যে প্ৰথমে জুই বাৰহাৰ কৰিছিল তাৰ প্ৰমাণ নিহঁতে বসতি কৰা পাঁহাৰৰ গুহাৰ ভিতৰত জুইশাল আৰু সেই সময়ৰ জীৱ-জন্তু বিবিলাক আজিকালি লুপ্ত হৈ গৈছে যেনে mammoth সেউবিলাকৰ পোৱা হাড়-মুৰ ইত্যাদি। তাৰ ওপৰিও এই জাতিয়েই প্ৰথমে মৰা মানুহৰ কবৰ দিবলৈ আৰম্ভ কৰে আৰু মৃতকৰ লগত অস্ত্ৰ-শস্ত্ৰ উৎসৰ্গা কৰি দিয়ে! এই আদিম জাতিৰ আত্মাৰ বিশ্বাস আৰু পৰলোকত বিশ্বাস এনে ওখ ধৰণৰ ভাব দেখিলে সঁচাকৈয়ে আচৰিত হব লাগে!

এই আদিম জাতি বাস কৰা যুগটোক Pataeolithic বা পুৰাতন শিলাযুগ বোলে ; কাৰণ এই মানুহবিলাকে শিলৰ বাহিৰে আন কোনো ধাতুৰ কাম নাজানিছিল। শিলৰপৰা তেওঁলোকে অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিছিল ; তাৰ ভিতৰত Coup-de-poing বা হাতকুঠাৰ আৰু Scraper বা চালৰপৰা মাংস কচি উলিওৱা অস্ত্ৰ। এই আদিম জাতি মানুহৰ অস্ত্ৰ-শস্ত্ৰবিলাক পিছৰ আধুনিক মানুহৰ হাতৰ নিৰ্ম্মিত শিলৰ অস্ত্ৰতকৈ হীন তৰপৰ। গতিকে আধুনিক মানুহৰ যুগটোক Neolithic বা নতুন শিলাযুগ বোলে। এই পুৰাতন শিলাযুগক তাৰ

সভ্যতাৰৈ চাই নিম্ন আৰু ঊৰ্দ্ধ ভাগত (lower and upper Palaeolithic) ভাগ কৰা হৈছে। নিম্ন শিলাযুগত বেগেগ বেলেগ আকৃতিৰ অস্ত্ৰবিলাকৰ ক্ৰমোন্নতি চাই Chellean, Achenlian আৰু Mousterian ত ভাগ কৰিছে। এই তিনিওটা সভ্যতাৰ সময়বিধিক নিম্ন পুৰণি শিলাযুগ (Lower palaeolithic) বুলিব পাৰি।

ইয়াতে আৰু এটা কথা যে এই Neanderthal জাতিটো উত্তৰ আফ্ৰিকাৰপৰা য়ুৰোপলৈ আহিছে বুলি কিছুমানে অনুমান কৰে। য়ুৰোপৰ বহুত দেশত এই জাতিৰ চিন পোৱা গৈছে। এছিয়া মহাদেশৰ পেলেষ্টাইন আৰু চিনৰ Honanতো মানুহৰ বসতিৰ চিন পোৱা গৈছে। ভাৰতত যদিও এই মানুহ জাতিৰ কোনো জঁকা আদি আজিলৈকে পোৱা নাই, সিহঁতৰ আদি মানৱৰ নিৰ্ম্মিত Chellean আৰু mousterian সাঁচৰ অস্ত্ৰ-শস্ত্ৰ দক্ষিণ ভাৰতত পোৱা গৈছে।

চতুৰ্থ তুষাৰ যুগৰ শেষ ভাগত য়ুৰোপত বৰফবিলাক উত্তৰৰ পিনলৈ পিছুৱাবলৈ ধৰাত গোটেই পৃথিবীৰ জলবায়ু, উদ্ভিদ আৰু জীৱ জগতৰ পৰিবৰ্ত্তন ঘটিবলৈ ধৰিলে, সেই কাৰণে এই Neanderthal মানুহ আৰু Chellean আৰু Achenlian সভ্যতাৰ মানুহবিলাক বিবিলাক Neanderthal মানুহৰ দৰে মানৱ শাখাৰ ঠেঙুলি আছিল সিবিলাক লুপ্ত হবলৈ ধৰিলে। Neanderthal জাতি যদিও লুপ্ত হ'ল, এই জাতিৰ ৰক্ত Australian বিলাকৰ গাত আছে বুলি বহুতৰ বিশ্বাস। এই আদিম জাতি Homo-primigenius লুপ্ত হোৱাত পৰিবৰ্ত্তনশীল পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত নিজৰ দৈহিক আৰু বৈজ্ঞিক (Germinal) পৰিবৰ্ত্তন মিলাই প্ৰধান মানৱ শাখাৰপৰা এই নতুন মানুহৰ (Neanthropic) উৎপত্তি হয়। এই নতুন মানুহ (Neanthropic) গোষ্ঠীৰ ভিন ভিন জাতি যেনে Grimaldi, Cromagnon, Chancelade যদিও আজিকালিৰ মানুহৰ (Homo sapiens৷Homo recens) ৰ লগত বহুত বিষয়ত মিলে তথাপি সিহঁত দেখিবলৈ সিমান সুন্দৰ নাছিল। সময়ত এই মানুহৰ বংশৰৰ বিলাকেই আধুনিক বা আছল মানুহত (Homo sapiens) পৰিণত হলগৈ। এই Neanthropic বা নতুন মানৱ জাতি আদিম মানৱ (Homo primigenius)ৰ তুলনাত সভ্যতাৰ কিমান ওপৰত উঠিছিল তাক সিহঁতৰ প্ৰস্তুত নিৰ্ম্মিত অস্ত্ৰ-শস্ত্ৰ আৰু পৰ্ব্বতৰ গুহাৰ ভিতৰত আঁকা নানা ৰঙৰ জীৱন্ত ছবি দেখিলেই বুজিব পাৰি। এই Neanthropic মানুহৰ যুগটোক "পুৰণি ঊৰ্দ্ধ শিলাযুগ" (Upper palaeolithic) বোলে। এই যুগটোক সভ্যতাৰ থাপ হিছাপে Aurignacian, Solutrian আৰু Magdalenian এই তিনি ভাগত ভাগ কৰিছে। এই তিনিওটা সভ্যতাৰ কাৰকাৰ্য্য বেলেগ বেলেগ ৰকমৰ। Aurignacian সভ্যতাৰ নিদৰ্শন স্বৰূপ শিংৰ বহুত অস্ত্ৰ-শস্ত্ৰ গোটেই পশ্চিম য়ুৰোপত পোৱা গৈছে। এই দিনৰ মাটিৰে তৈয়াৰ কৰা Mother goddess বা শক্তিৰ মূৰ্ত্তি bison বা পৰ্ব্বতীয়া গৰুৰ মূৰ্ত্তি আদি বহুত পোৱা গৈছে। এই Aurignacian সময়তে Europeলৈ Grimaldi জাতি আফ্ৰিকাৰপৰা আহে। এই সভ্যতা লুপ্ত হোৱাত Cromagnon নামেৰে এটা পৰাক্ৰমী জাতিয়ে য়ুৰোপৰ পশ্চিম ফালৰপৰা আহি Aurignacian সভ্যতা ধ্বংস কৰি সিহঁতৰ নিজৰ Solutrian সভ্যতা স্থাপন কৰে। এই Solutrian দিনৰ পাথৰ নিৰ্ম্মিত লৰেল পাতৰ নিচিনা (Laural leaf pattern) মিহি আৰু বিভোপন অস্ত্ৰ বিলাক দেখিলে তাৰ কাৰকাৰ্য্যক নব প্ৰস্তৰ যুগৰ (New stone age) কাৰকাৰ্য্য বুলি ভুল কৰিবৰ বেছি সম্ভাৱনা। Solutrian সভ্যতা লুপ্ত হোৱাৰ লগে লগে Magdalenian সভ্যতা আৰম্ভ হয়। এই সময়তেই Chancelade বোলা জাতিয়ে য়ুৰোপত বসতি কৰে। এই Magdalenian দিনৰ অনেক বং-বিৰঙৰ বা কেৰল ৰং নলগোৱাকৈ ছবি আঁকা চিন Spainৰ Altimara নামে ঠাইত আৰু Franceৰ Dordona নদীৰ পাৰত দেখিবলৈ পোৱা যায়। এই ছবিবিলাক আঁকোতে বা বহুণ লগাওঁতে ঠিক জীৱন্ত ভাব ফুটাই তুলিবলৈ চেষ্টা কৰিছিল। এই ছবিৰ বাহিৰেও এই দিনৰ Reindeer পহুৰ শিঙৰ কাৰকাৰ্য্য অতি মনোৰম। এই ধৰণৰ বনবীয়া জন্তুৰ ছবি মধ্য-

ভাৰতৰ সিঙ্গানপুৰ (Singanpur) নামে ঠাইতো পোৱা গৈছে।

এই Magdalenian সভ্যতা লুপ্ত হোৱাৰ লগে লগে ৰ্থ যুগৰ (Quaternary) প্ৰথম অন্তযুৰ্গ (Pleistocene) শেষ হৈ আধুনিক (Recent) অন্তযুৰ্গত সোমাল। এই আধুনিক আৰু প্ৰথম অন্তযুৰ্গৰ মাজৰ যুগটোক Transitional বা সন্ধিযুগ বোলে। এই সন্ধিযুগৰ সভ্যতা আগৰ অন্তযুৰ্গৰ সভ্যতাৰ নিচিনা ওখ থাপৰ নাছিল।

সন্ধিযুগ (Transitional period) অন্তসান হোৱাত আধুনিক (Recent) যুগ আৰম্ভ হয়। এই আধুনিক যুগৰ আৰম্ভণিৰ নতুন প্ৰস্তৰ যুগ বোলে। এই নতুন প্ৰস্তৰ যুগতেই শিলপৰা মিহিকৈ কটা অস্ত্ৰ, মাটিৰ কলহ, পাত্ৰ, আদি, তৈয়াৰ হয়। এই যুগতেই মানুহে খেতি কৰিবলৈ আৰম্ভ কৰে আৰু তাৰ লগে লগে ছাগলী, গৰু, কুকুৰা আদি পুহিবলৈ আৰম্ভ কৰে। চকা আৰিষ্কাৰ হোৱাৰ লগে লগে গাৰী তৈয়াৰ কৰি বেহা-বেপাৰ কৰিবলৈ আৰম্ভ কৰে। এইবিলাকৰ বাহিৰেও মৰা মানুহক কৰৰ দিবলৈ ঘুৰণীয়া আৰু দীঘলীয়া কৰৰ (dolmen) তৈয়াৰ কৰে। স্মাৰণীয় মৃত মানুহৰ স্মৃতি ৰাখিবলৈ শিলৰ থুটা (Menhirs) তুলিবলৈ আৰম্ভ কৰিলে। এই dolmens বা কৰৰ ভাৰতৰ Santal, Oroan আদি আদিমবাসীবিলাকৰ ভিতৰত এতিয়াও দেখিবলৈ পোৱা যায়। য়ুৰোপ, ফ্ৰান্স, স্কটলেণ্ড আদি ঠাইবোৰতো কথাই নাই। Menhir বা শিলৰ থুটা অসমৰ খাছিয়া পাহাৰত এতিয়াও অনেক দেখিবলৈ পোৱা যায়।

নতুন প্ৰস্তৰ যুগ শেষ হোৱাত য়ুৰোপত টিন আৰু তাম মিহলি এক ৰকম কাঁহৰ (bronze) চলন হয় আৰু ভাৰততো সেই ধাতুৰ অস্ত্ৰ-শস্ত্ৰ Chotanagpur আৰু Sind দেশৰ Mohenjodard ত পোৱা গৈছে। প্ৰথমে তাম আৰু শিলৰ বস্তুবিলাক একে সময়তে ব্যৱহাৰ কৰা সময় জোখৰক Chalcolithic যুগ বোলে। এই Chalcolithic সময়ত তৈয়াৰ হোৱা বহুত জিনিছ-পত্ৰ, অলঙ্কাৰ আদি সিন্ধু উপত্যকাৰ Moherjodard আৰু Harappa ত পোৱা গৈছে। এই বস্তুবিলাকৰ কাৰকাৰ্য্য ইমান বিভোপন যে তাক আজি কালিৰ কাৰকাৰ্য্যৰ লগত অনায়াসে তুলনা কৰিব পাৰি।

এই তাম আৰু কাঁহ (bronze) যুগৰ পিছত লোহাৰ যুগ বা আধুনিক যুগ আৰম্ভ হয়।

এই গল মানৱ জাতিৰ ক্ৰমবিকাশ আৰু সিহঁতৰ সভ্যতাৰ এটা চমু বিৱৰণ।

এই মানৱ জাতিৰ ক্ৰমবিকাশ সম্পৰ্কে আমালোকে এতিয়াও বহুত কথা নাজানো। ৩য় যুগৰ Oligocene অন্তযুৰ্গত অ-বিশিষ্ট-মানুহ-কল্প গোষ্ঠীৰ কিমান ঠাল-ঠেঙুলি যে পাৰিপাৰ্শ্বিক পৰিবৰ্ত্তনৰ লগত নিজক চন্তালিব নোৱাৰি লুপ্ত হৈছে তাৰ চিন-ছাব এতিয়াও পোৱা নাই। সেইদৰে ৰ্থ যুগৰ (Quaternary) প্ৰথম অন্তযুৰ্গত (Pleistocene) মানৱ শাখাৰ যিবিলাক ঠাল-ঠেঙুলি পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত নিজক চলাব নোৱাৰি ধ্বংস হৈছে তাৰ সবিশেষ খবৰ এতিয়ালৈকে সম্পূৰ্ণৰূপে জানিব পৰা নাই। আমালোকে মাথোন এইটো অনুমান কৰিব পাৰোঁ যে ৩য় যুগ (Tertiary period)ৰ আৰম্ভণিৰ Piiocene অন্তযুৰ্গত প্ৰধান মানৱ শাখাৰ (main Humanoid stem) পৰা যি আধুনিক মানৱ জাতিৰ (Homosapiens) উৎপত্তি হৈছে সি প্ৰাকৃতিক আৰু ইন্দ্ৰিয়ক নিৰ্ব্বাচনৰ আৰু পৰস্পৰ বৃদ্ধিৰ নিয়ম (Law of cor-related growth) সহায়ত নিজৰ যোগ্যতা অনুসাৰে (Survival of the fittest) আৰু নিজৰ অনাধাৰণ বৈশিষ্ট্য পালন কৰি এই আধুনিক মানুহত পৰিণত হৈছে। এই পৰিবৰ্ত্ত বিলাক যিবিলাকে অ-বিশিষ্ট মানৱ গোষ্ঠীক আছল মানুহৰপৰা বেলেগ কৰি আনিছে সি ক্ৰমান্বয়ে বা লাহে লাহে (gradual) হোৱা নাই। কোনোটি পৰিবৰ্ত্তন হঠাৎ লবলগীয়া ছেছে। এইদৰে পৰিবৰ্ত্তনশীল জগতৰ লগত যুজঁ কৰি কৰি এই অ-বিশিষ্ট মানুহ পৰিয়াল আধুনিক মানুহত পৰিণত হৈছেহি!

কলং পাৱত (মাজনিশা)

কবিতা—

—শ্রীযুত দেৱকান্ত বৰুৱা বি-এ

অতপৰে আহিলা লাহৰী ? ৰাট চাই আছোঁ তোমালই
অপনিৱেপৰা ;
লুকাই আছিছা ? ভয় নাই নেদেখে কোনেও, জোনাবাই
ডাৱৰে আৱৰা।
আহা, মোৰ ওচৰতে বহা ; কিয়নো কৰিছা লাজ সোণ ?
একো লাজ নাই।
কলঙৰ নিজান পাৱত তুমি আৰু মই আছোঁ, মাথোঁ
কদম জোৱাই
সাক্ষী কৰ তুমি আৰু মই আজি নিভৃতে মিলাৰ হেৱা ;
সউ বকুলৰ
ডালত কুকলি মৰা নিয়তি পখীয়ে জানিব মাথোন
তুমি আজি মোৰ !
এতিয়াই যাবা ঘৰলই ? কিয় ? কেনেবাকে' কোনোবাই
যদি সাৰ পায় ?
তুমি-গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া ! কাঁইটৰ
শঙ্কা মোৰ নাই !
আহাচো ওচৰ চাপি, সঙ্কোচৰ বাৱধান নাৰাখিবা
বিদায়-নিশাত ;
নকৰিবা একো লাজ,—ভাগৰ লাগিছে যদি থোৱা মুৰ
মোৰেই কোলাত।
চাই লওঁ তোমাৰ মুখনি, লীন হওঁ তোমাৰ চকুত
দুই চকু মোৰ ;
যিদৰে মিলিছে আজি আমাৰ বিষাদ সতে আকাশৰ
মলিন পোহৰ !.....
তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী ? দহদিন ? মাথোঁ
দহদিন আছে ?
এনে দহনিশা ! তুমি যাবা তোমাৰ ৰাটেদি, মই যাম
মোৰ ৰাটে ৰাটে।
নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা গি
ন চাকি গছি,
তাৰ পোহৰত যাৰ জীয়ৰী কালৰ আশা, দুখ, সুখ
দিনে দিনে মছি।
তুমি মোক পাহৰি পেলাবা—মোৰ দোষ, মোৰ ওৰ, হায়
মোৰ ভালপোৱা,
পাহৰিবা তুমি সখী ! আজিৰ নিশাৰ স্মৃতি, পাহৰিবা
তুমি মোৰ হোৱা !
হয়তো কোনোবা নিশা বহিবা ইয়াতে আহি, ওচৰত
ৰব প্ৰিয়জন ;
বকুলৰ সুগন্ধিয়ে তেতিয়া তোমাৰ ৰাক কিবা কিবা
কৰিবনে মন ?
হয়তো কৰিব পাৰে, হয়তো নকৰে,—মোৰ খেদ্ নাই।
মোৰ অহঙ্কাৰ
প্ৰথমে জগালোঁ মৰ্ম্মে তপ্তালসা গাভকক মনোৰমা !
হিয়াৰ তোমাৰ !

পৰিৱৰ্ত্তন

[আগৰ সংখ্যাৰ পাছৰপৰা]

গল্প—

—শ্রীযুত নগেন্দ্রনাৰায়ণ চৌধুৰী

১২

বিভাৰ গা ভাল নহয়। তাইক চাৰৰ বাৰে মই তাইৰ শোৱনি ঘৰত সোমাৰৰ আদেশ পাইছোঁ। মাক তেতিয়া বিভাৰ ওচৰতে বহি আছিল। বিভাৰ কপালত হাত দি চালোঁ। জ্বৰ সামান্য। ইন্‌ফ্লুয়েঞ্জা ভয় একো নাই, ডাক্তৰে কৈ গৈছে। পথ্যাদিৰ কথা সুধিছোঁ। এনেতে গীতা আহি সোমাল। বিভাক শুই থকা দেখি ওচৰলৈ আহি কলে—"ও মা, তুমি শুয়ে! অসুখ কৰেছে বুঝি? কি হয়েছে? আমি এলুম তোমাৰ একজোড়া চুড়ি নোৱো বোলে, নোমুনোৰ জন্যে।" (আই ঐ দেহি, তুমি শুই আছা! অসুখ কৰিছেনেকি? কি হৈছে? মই আহিলোঁ তোমাৰ এজোৰ চুড়ি নিম বুলি নমুনাৰ বাবে।)

বিভাই মোৰ মুখৰ ফালে এটা অৰ্থপূৰ্ণ দৃষ্টি পেলাই উত্তৰ দিলে, চুড়িবিলাক পেৰাত সুমাই থৈ দিছে বুলি। মাকে শুনি কলে "গাৰিটো ক'ত আছে দে, মই উলিয়াই দিওঁ।" বিভাই মহা মস্কিলত পৰিল। আকৌ এবাৰ মোৰ মুখৰ ফালে চালে—দৃষ্টি কৰুণ। কি উত্তৰ দিব, ঠিক কৰিব নোৱাৰি মুখত দুৰ্ভাৱনাৰ চিন ফুটি উঠিল। জানোচা তাই এবেলি গোপন কৰিব নোৱাৰি সঁচা কথা কৈ পেলায়, এই ভয়ত মোৰ মুখ শুকাই গল, বুকু ধপ্ ধপ্ কৰিবলৈ ধৰিলে। কিন্তু অলপ পিছতে বিভাই 'উ—আঁ' কৰি কোৱাৰলৈ ধৰা দেখি সকলোৱে তাইৰ অৱস্থা চাই শঙ্কিত হ'ল। ময়ো অলপ বিচলিত নোহোৱা নহয়; কিন্তু মোৰ মনত সন্দেহ হ'ল—জানোচা ইবোৰ চালাকিহে। পেৰা খোলাৰ হাত সাৰিবৰ বাবে এই ভাও জুৰিলে। * *

গীতাৰ চুড়ি নিম্না আজিৰ কাৰণে স্থগিত থাকিল। কিন্তু এনেভাৱে আৰু সৰহ দিন ফাঁকি দিয়া সম্ভৱ নহয়, কোনোমা এদিন বিপদত পৰিম, তাক বিশেষকৈ বুজিব পাৰিলোঁ। নকলেও চলে মোৰ ঘোৰা দৌৰত লাভ নহৈ লোকচান হৈছিল। পিছে চাৰিশমান টকা এতিয়ালৈকে হাতত আছে। সিখিনিৰে অলঙ্কাৰবিলাক অৰ্থাৎ চুড়ি কেইযোৰ মোকলাব পাৰি অৱশ্যে; কিন্তু মোৰ হাতশূন্য হব—খেলিবলৈ একো নথকাৰ নিচিনা হব। সি নিয়ে নহ'ক, কাইটে যেনে তেনে চুড়িবিলাক আনি ওভোতাই দিম ভাবি নিশ্চিন্ত হলোঁ। কিন্তু বিভাই বৰ অশান্তিত পৰিছে তাক স্পষ্ট বুজিব পৰা গল। পৰ হস্তগত ধন। যেচেৰীৰ মোৰ উপকাৰৰ নিমিত্তে এইখন দিগদাৰি। ধৰা পৰিৰ লাগিলে বিপদ অকল তাইৰে নহয় মোৰহে সৰহ।

১৩

মানুহৰ ইচ্ছামতে সকলো সময়তে কাম হৈ নুঠে। ঘটনাচক্ৰত পৰি আন বিধৰ হৈ যায়।—হোষ্টেলত আহি থোৱা-লোৱা কৰি বহিছোঁ। এনেতে বন্ধুৰে আহি খবৰ দিলে যে, চিনেমা চাৰলৈ গৈ এজন নামজাদা জকিৰ লগত পৰিচয় হ'ল। তাক দুই 'গেণ্ড'মান 'হুইস্কি' খুউৱা হৈছিল আৰু কাইটে 'ফাৰগো' হোটেলত থাৰৰ বাবে নিমন্ত্ৰণ কৰা হৈছে। গধূলি আঠ বজাৰ সময়ত সেই হোটেললৈ যাব লাগিব। ময়ো যাব লাগিব বুলি অনুৰোধ জনালে।

* * * *

এজন নামজাদা জকিৰ লগত অকল পৰিচয়ে নহয়, এবেশ্বন টেবিলত খানা খাই বিশেষ আত্মীয়তা কৰি বথাৰ সুযোগ হেকৱাবলৈ বৰ টান পালোঁ। এতেকে গৃহশিক্ষকৰ কৰ্ত্তব্য, উপকাৰিণীৰ প্ৰতি কৃতজ্ঞতা বা প্ৰতি উপকাৰ আদি সিদিনাৰ কাৰণে বিসৰ্জ্জন দি, এটা 'ডিনাৰ

স্যুট' ভাবা কবি পিঙ্কি, পুবাদস্তব কলা ছাহাব সাজি 'ফাবণো'ত হাজিব হলোঁগৈ। * * *

থানা খোৱা হ'ল। মই মদ নাখাওঁ; কিন্তু অলপ মুখত নিদিলে 'জকিব' লগত বন্ধুত্ব নাবাঢ়ে, এয়ে মোৰ পৰম বন্ধুৰ উপদেশ; কাৰণ তাকে নহলে বোলে অন্তত বা অসভ্য হৈ থাকি যাব লাগিব আৰু অসভ্যৰ লগত সু-সভ্য ইংৰাজ জাতিয়ে কেতিয়াও বন্ধুত্ব নকবে—সি ভাঁড়ব ছাহাবেই হক লাগে সৰু ছাহাবেই হ'ক আৰু ইফালে নেটিভ সাধাৰণ বাবুৰেই হক লাগে বঙ্গ-মহাৰাজাযে হক—একে কথা।

গতিকে সিহঁতৰ সন্মান ৰক্ষাৰ কাৰণে অলপ মুখত দি 'সুৰা-প্ৰাশন' কবি শুদ্ধ অৰ্থাৎ সভ্য হলোঁ।—জকি আৰু মোৰ পৰম বন্ধুৰে কিন্তু দস্তবমতে খালে। * * *

নানা কথা-বতবা হল, কিন্তু যি 'টিপব' নিমিত্তে ইমান ব্যস্ত, সি 'টিপ' আজি দিব নোৱাবিলে। শুকুবাবে খণ্ডলি পবত লগ ধবিলে 'টিপ' দিব বুলি প্ৰতিশ্ৰুতি দিলে। কাৰণ তাব আগত ঘোৰাব অৱস্থা ঠিক কবিব নোৱাবে। এনেকি বহুত সময়ত শনিবাবে পুৰাকে খবব পোৱা সম্ভব হয়। যিয়ে হ'ক, কাইটৈ শুক্ৰবাব। এতেকে ঠিক কবা হল—কাইটৈ খণ্ডলি, আমি দুয়ো বন্ধুৱে 'পিকচাব পেলেছত' বাট চাহি থাকিম। তাতে ছবি চাই, আকৌ 'ফাবণো'ৰৈ গৈ 'ডিনাব' (প্ৰধান খানা) খোৱা হব আৰু সেই ঠাইতে 'টিপ'ব কথা আলোচনা হব। * * *

ঠিক সময়ত আমালোকৰ 'জকি' বন্ধুৱে এজনী মেম বান্ধবীক লগত লৈ উপস্থিত। কোৱা বাহুল্য, তেওঁকো 'জকিব' লগতে বাহকোপ দেখুৱা আৰু হোটেলত 'ডিনাব' খুইটা হল। আমাব দুয়োজনবে ভালেখিনি খবচ হল—এই দেব আৰু দেবী পূজাত। সিহঁত বাৰু পবিশ্ৰম আৰু ব্যয় সাৰ্থক হল—টিপ পোৱা গল।

* * * *

শনিবাবৰ সুপ্ৰভাত। আননহি যেন ৰূপ ধবি চাবিওফালে নাচি ফুবিছে। দুপবীয়া দুই বজাব পিছত 'বে'ছ'আৰম্ভ হোৱা দস্তব; কিন্তু আমালোকৰ 'টিপ' আছিল তৃতীয় বাজীত। পলম নকবি পহিলাবপবা 'বে'ছ' চাবৰ বাবে দুবজাব আগতে গৈ সোমালোঁ। কমমেট ইটো সিটো ঘোবাত খেলিবলৈ ধবিলে। মই কেৱল কল্পনা চকুবে চাবলৈ ধবিলো। স্বৰ্গবপবা দেৱবাজ ইন্দ্ৰৰ উচ্চৈঃশ্ৰবাই সুশ্ব শবীব ধাবণ কবি নামি আহি যেন আমি ধবিব খোজা ঘোবাটোৰ গাত মিলি গল। ইচ্ছা হব ধবিলে যদি মাথো তিনি ঘণ্টাৰ কাবণে বিভাই তাইব সকলোখিনি অলঙ্কাব বন্ধক দৈ টকা আনি দি গলহেতেন, তেনেহলে আজি গধুলিব আগতে আৰু চাবিওণ অলঙ্কাব দি তাইক সজাই দিব পাবিলোঁহেতেন। ভগবান 'ইম্পিবিয়েল বেঙ্ক'ব টকা-বিলাক মাথো ২।৩ ঘণ্টাৰ কাবণে মোক দিব নোৱাবানে! তেনেহলে মই তেনে চাবিটামান বেঙ্ক পাতি তাবে সহায়ত দেশৰ কল-কাৰখানা পাতি এটা নৱ যুগৰ সৃষ্টি কবি দিওঁ, তেতিয়া নিবন্ধৰা সমস্যা বুলি কথাটোকে লোপ পাব। তাব লগতে কেইটামান 'ডাৰবি বে'ছত' জিকা ঘোবা, যিবিলাকৰ বেচ ১২৫০০০ হাজাবব পবা ১৫০০০০লৈকে—তাকে কিনি, ঘোবাৰ 'অ'নাব' (owner মালিক) হৈ যাওঁ। মোৰ ধ্ব উচ্চৈৰ ধবিলে ধনী সম্প্ৰদায়ৰ ওপবত টকাবিলাক টোপোলা বান্ধি বহি থাকে, দেশৰ হিতব নিমিত্তে খবচ নকবে। নকবে নাই বাক মোক ধাবলৈ দিলেও 'বে'ছ' খেলি জিকি টকাবোৰ দিব পাবো, দেশৰ হিত সাধিব পাবো, তাব ওপবত ডুবোবেলা ঘৈ 'ফাবণো'ত খানা খাব পাবো। এবাব বিলাতলৈ গৈ ঘুবি আহিব পবা গলহেতেন! তেনে সুবুদ্ধি কেতিয়াও নহব। গতিকে সিহঁতৰ পতনৰ বাবহো কবিব লাগিব এবাব উকিল হৈ বহিব পাবিলে *** সময় আহিল। টিকট কিনিবলৈ গৈ চালোঁ 'হট ফেভাবিট' (Hot favourite) অৰ্থাৎ সকলোবে পছন্দ হোৱা 'অড্‌স্ অন্' (odds on) অৰ্থাৎ লাভব টকা মূলতকৈ কম। যি কি নহক সকলো খিনি টকাব 'উইন্' (win) অৰ্থাৎ প্ৰথম হবলৈ খেলিবব সাহ নহল, আধামান 'প্লেছ' (place) অৰ্থাৎ প্ৰথম, দ্বিতীয় বা তৃতীয় স্থান অধিকাব কবিবলৈ খেলিলোঁ। জকিবো সেয়ে উপদেশ আছিল। * * * 'অফ' (off), ঘোবাই লব দিলে। আমাব ঘোবা 'ডিষ্টেণ্ট পষ্ট' (distant post) লৈকে আছিছিল; চিঞৰি চিঞৰি আমাব ডিষ্ট্ৰিক্ট ঘোৱাৰ নিচিনা হৈ গল। কিন্তু দুটা ঘোবা 'হেক্' (hack)

কবি জিকিলে। আমাবটো তৃতীয় হল। যি কেইটা ঘোবা দৌবিবব কথা আছিল, দৌবিলে অৱশ্যে 'প্লেছব' টকা পালে হেতেন; কিন্তু অদৃষ্ট মন্দ, দৌবিছিল মাত্ৰ পাঁচটা; গতিকে তৃতীয়টোক 'প্লেছ' নিদিলে। যিখিনি টকা আছিল, সকলোখিনি গল, এনেকি ঘবলৈ আহিবব বাবে 'ষ্টেব বাড' বা 'ট্ৰামব' টিকিটব পইছাও হাতত নোহোৱা হল। আমি নিতান্ত মূর্খ! যদি নিশ্চিত কব পবা গলহেতেন কোনটো ঘোৰা জিকিব, তেনেহলে প্ৰতিটো 'জকিয়ে' লোকব ঘোবাত উঠি জীৱন নকটাই ঘোবাব মালিক হব পাবিলেহেতেন! এই কথা আগেয়ে এবাবো মনত অহা নাছিল এনে নহয়; পিছে লোভত পাপ আৰু পাপত মৃত্যু!

হতাশ মনে ছোৱেলত গৈ শুই থাকিলোঁ। বিভাব অলঙ্কাব মোকোলোৱাতো নহলেই, মনব দুখ আৰু লাজত তাইক সুধাবেনে মোৱাও নহল। পিছ দিনা দেওবাব এনেই ছুটী। তাব পিছতো চুড়িবিলাক মোকোলাব নোৱাবাবেঁকে বিভাইহব ঘবব পিনে মুখ নহম বুলি ঠিক কবি, ইফালে সিফালে টকাব চেষ্টা কবি ফুবিব ধবিলো। আৰু ছদিন সিহঁতব ফালে যোৱা নহল। কি ভাবি, তাক ভগৱানে জানে, বিভাই এখন চিঠি লিখিছে বব মিনতি কবি;—যেনে তেনে চুচিকেইযোব ওভোতাই দিব লাগে আৰু তাইব লগত দেখা কবিব লাগে বুলি।

বিভাব যে শঙ্কট তাক বুজিলোঁ; কিন্তু উপায় কি! কেনেকৈ তাইক মোৰ মুখ দেখুৱাম? তাই জানোচা ভাবিছে মই বিদেশী, বাথব বস্তুত চুচিকেইযোবব লোভ এবিব পবা নাই। বব অশান্তি পাবলৈ ধবিলো। বব অনুশোচনা হব ধবিলে—কিয় তাইব অলঙ্কাববিলাক আগেয়ে মোকোলাই নিদিলো!

১৪

মোৰ পৰম বন্ধু 'কম-মেট'ব পৰামৰ্শত এজন কাবুলীব পবা পাঁচ শ টকাকণ, টকাই প্ৰতি মাহে দুই অনা সুদত ধাব কবি বিভাব চুড়ি মোকোলোৱা আৰু কিছুমান ঘুচুবা ধাব শুজা হল। পলম নকবি সেই গধুলিয়ে বিভাইতব ঘবলৈ আহি দেখিলো—বিভাব ভায়েক মনোবঞ্জন অকলে কিতাপ মেলি বহি আছে। বিভাব অব এবিছে, ভাত পথ্য কবিছে কিন্তু দুৰ্ব্বল গতিকে পঢ়িব অহা নাই। গতিকে তাইব ওচবলৈ যাবব কোনো উপায় নাই। মনোবঞ্জনব হাততে চুড়িব 'পেকেট'টো দি পঠিয়ালোঁ। কোনেও নেদেখাকৈ তাইক দিবলৈ।

মনোবঞ্জন গৈছে এনেতে গীতাই বাহিবপবা আহি খোটালিতে সোমাল। যিয় কৈ নমস্কাব জনালোঁ, কাবণ তাই মোব ছাত্ৰী নহয়। গীতাই কিন্তু দেশীমতে নমস্কাব নকবি সৌহাতখন আগ বঢ়াই দিলে। 'হেণ্ডশেক্' (কবমৰ্দ্দন) কবি মোব কাষতে এখন চকীত বহি বিভা কেনে আছে সুধিলে। এতিয়াই আহি পাইছো মাথো শুনি, সেই প্ৰসঙ্গ এবি কব ধবিলে "জ্যোতিষ মহাৰ্ণবব কাছে গিয়েছিলুম। চেনেন্ তাঁকে?" (জ্যোতিষ মহাৰ্ণবব ওচবলৈ গৈছিলোঁ। তেওঁক চিনি পায়নে?)

'মহাৰ্ণব' উপাধিটোবপবা অনুমান কবিব পাবি এজন ডাঙব শিব ফুটা গণক বুলি; কিন্তু এইবোৰ উপাধিব মাক বাপেক নাই, সলেই হ'ল নিজে নিজে। গতিকে চিনি পোৱা দুবব কথা নামকে শুনা নাই। মই 'চিনি নাপাওঁ বুলি কোৱাত আকৌ তাই বকিব ধবিলে —"গ্যাৰঞ্জন খুব নামজাদা গণৎকাব। সব ঠিক ঠিক বোলতে পাবে। আমায় বোলছে,—আমাব নাকি 'লাভ' (love) সম্বন্ধে 'লাক্' (luck) খুব ভালো। (এজন বব নামজদা গণক। সকলো ঠিক ঠিককৈ কব পাবে। মোক কলে—মোব বোলে প্ৰেম সম্বন্ধে অদৃষ্ট বব ভাল)। আপনি হাত গুণতে জানেন?" (আপুনি হাত চাব জানেনে?)

মই নাজানো বুলি কলো; তথাপি তাই বাঁও হাতখন মোব ফালে আগ বঢ়াই দি কলে—"দেকুন্ না এক্ বাবটি—জানেন্ বৈকি, কিছু না কিছু। আসাম যে প্ৰাগজ্যোতিষপুৰ ছিলো য়্যাককালে। (চাওকচোন এবাব। অলপ নিশ্চয় জানে। অসম যে প্ৰাগজ্যোতিষপুৰ আছিল এ'কালত)।

মোব হাঁহি ওলাল। এবাব ইচ্ছা হল—এই সুযোগত

তাইৰ সুগোল-সুঠাম কোমল হাতখনি ভাল কৰি লাৰি-চাৰি চাওঁ। কিন্তু সেই প্ৰলোভন এৰিলোঁ। 'একো নাজানো যেতিয়া, কিনো চাম, বুলি কলোঁ। তেতিয়া তাই—"বেশ, আমিই আপনাৰ হাত দেখি" (ভাল, ময়ে আপোনাৰ হাত চাওঁ) বুলি মোৰ সোঁহাতখন টানি নিজৰ ওচৰলৈ লৈ গৈ, এবাৰ হাতৰ ৰেখাৰ পিনে এবাৰ মোৰ মুখৰ পিনে চাই কব ধৰিলে—"আপনি য়্যাকজন 'লাকিয়েষ্ট মেন এবাউট গাৰ্লছ'" (আপুনি এজন বৰ সৌভাগ্যৱান্ পুৰুষ—ছোৱালী সম্বন্ধে)। কথাৰ শেহত মোৰ হাতখনত লাহেকৈ এটা টিপা মাৰি মুখৰ পিনে চাই এটি মিচিকিয়া হাঁহিৰ লগতে এটা বিলোলকটাক্ষপাত কৰিলে। অকস্মাতে মোৰো মুখত হাঁহি বিৰিঙি উঠিল। ঠিক এনে সময়তে বিভাই পৰদাখন গুচাই ভিতৰ সোমাল।

অন্যমনস্ক হৈ নাথাকিলে জোতাৰ শব্দ শুনি বিভাৰ আগমন জানিব পাৰিলোহেতেন; কিন্তু কামিনীৰ কৰকমল স্পৰ্শ আৰু পদ্মপলাশ লোচনৰ চঞ্চল দৃষ্টিয়ে মোক তন্ময় কৰি পেলাইছিল। বিভাই আহি আমাক তেনে অৱস্থাত দেখিলে। অকলঙ্ক পূৰ্ণচন্দ্ৰৰ নিচিনা তাইৰ মুখখন যেন অমাবস্যাৰ আন্ধাৰে আগুৰিলে। "আই-এম্-স্যৰি" (I am sorroy) অৰ্থাৎ মোৰ অহা অন্যায় হৈছে, সেই নিমিত্তে বেজাৰ পালোঁ বুলি ততালিকে ওপৰলৈ গুচি গল। গীতায়ো পলম নকৰি তাইৰ পাছে পাছে গল, কিন্তু অলপ পিছতে উভতি আহি, মুখখন কলা কৰি কব ধৰিলে—"দেখুন দিকি—কি অন্যায়। অতো গুমোৰ ভালো নয়। আমি কি অন্যায় কৰেছি অমোনতৰো—যাৰ জন্য...।" (চাওকচোন কি অন্যায়! ইমান গুমৰ ভাল নহয়। মই কি অন্যায় কৰিলো এনেকুৱা—যাৰ মিনিত্তে।) আৰু কব নোৱাৰিলে—সৰি পৰিব ধৰা চকুৰলো উৰমালেদি মছিব ধৰিলে।

কি হল একো তত ধৰিব নোৱাৰি ব্যগ্ৰ হৈ কাৰণ সুধিলোঁ। তাই উত্তৰ দিলে—"কিছু না। আপনি 'নো-বডিজ' (No body's)...না থাক। দয়া ক'ৰে যদি কাল্‌কে আমাদেৰ বাড়ি যান, তখন বোল্‌বো সব শুনতে পাবেন। কাল বিকেলে চা খাওয়া নিমন্ত্ৰণ ৰৈলো, আমাদেৰ বাড়িতে—আপনাৰ। 'গুড-নাইট' (Good night) মনে কিছু কোৰবেন্ না"—(একো নহয়। আপুনি কোনো মানুহৰ···নালাগে থাকক। দয়া কৰি যদি কাইলৈ আমালোকৰ ঘৰলৈ যায়, তেতিয়া সকলো শুনিবলৈ পাব। কাইলৈ চাহ খোৱাৰ নিমন্ত্ৰণ থাকিল, আমালোকৰ ঘৰত—আপোনাৰ। ৰাতিটো শুভ হ'ক আপোনাৰ, নমস্কাৰ। মনত একো নাভাবিব—বিদায়)। কথাৰ লগে লগে ঘৰৰপৰা বেগাই ওলাই গল।

কি কথা! এক মুহূৰ্ত্ততে দুই বান্ধৱীৰ ভিতৰত কি হল? কাক সুধিম ভাবিছো, এনেতে এজন চাকৰে ঘৰত সোমাই মোক সুধিলে—"গীতা দিদিমণি চলি গেই?"

মই গল বুলি কৈ তাক সুধিলোঁ কি হৈছে বুলি। কিন্তু সি একো নাজানে, অকল বিভাই বিছনাত শুই আছে আৰু গীতা আছেনে গল চাই যাব দিছে বুলি উত্তৰ দিলে। মই তাক এবাৰ বিভাক মাতি দিবলৈ কলোঁ।

ক্ৰমে ১৫ মিনিটমান হৈ গ'ল, বিভা নাহিল: চাকৰটো আহিও কোনো খবৰ নিদিলে। মোৰ সন্দেহ হল—ডাঙৰ মানুহৰ চাকৰ, জানোচা মোৰ নিচিনা এজন গৃহ শিক্ষকৰ কথা গ্ৰাহ্যই কৰা নাই। ছাহাবৰ খানছামা নহয় যে বগা চাম্‌ৰা দেখিলেই 'শ্লাম' দিবলৈ বাধ্য। পিছে মোৰ অনুমান ঠিক নহয়।—চাকৰটো আহি এখন চিঠি দি কলে "মিসি বাবাকি তৰিয়াৎ আচ্ছি নেহি।" (miss বাবাৰ গা ভাল নহয়)।

লৰালৰিকৈ চিঠিখন খুলি চালোঁ। তাত মাথো কেই শাৰী লিখা—মোৰ গা ভাল নহয়, আজি নপঢ়িম; আপুনি যাব পাৰে। ইতি—বিভা। পুঃ, মোৰ টকাৰ দৰকাৰ। আশা কৰোঁ ২৪ ঘণ্টাৰ ভিতৰত বাকী টকাখিনি ওভতাই দিব

ইমান অপমান! মই পলাই যাম নেকি? ২৪ ঘণ্টাৰ ভিতৰতে টকা দিব লাগে। হব পাৰে, তোমালোকৰ দুই বন্ধুৱনীৰ মাজত কিবা কাজিয়া হৈছে, তাত মোৰ কি? নিদিওঁ যদি, কি হব? টকা নিয়াৰ নিদৰ্শন কি আছে? মই বেইমানি কৰিব নোখোজো। বাৰু মোৰো প্ৰতিজ্ঞা ৰ'ল—ধাৰে নিয়া বাকী ৩০০৲ টকা আৰু পুৰীলৈ যোৱাৰ

সময়ত দি যোৱা ১০০৲ টকা মুঠতে এই চাৰিশ টকা ৰূপ ওভতাই দিহে মাতিম।

১৫

জগতৰ প্ৰধান সমস্যা টকা পোৱা যায় ক'ত। ওৰে ৰাতি চিন্তা কৰিও ক'ত টকা পাব পাৰি তাৰ একো ঠিক নহ'ল। কাবুলীৰ টকা এতিয়াও দিব পৰা নাই, তাৰ ওপৰ আৰু খুজিলে সি কেতিয়াও নিদিয়ে। সেয়ে নহয়, সিহঁতৰ জাত ভাইৰ কোনেও নিদিব। সকলো বিষয়তে সিহঁতৰ একতা। এতিয়া উপায় কি?—অৱশেষত গীতাৰ তাতে হাত পাতিম বুলি ঠিক কৰি, আবেলি তাইৰ চাহৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ ওলালোঁ। বিশেষকৈ বিভাই মোৰ আৰু গীতাৰ সাধাৰণ শত্ৰু হ'ল যেতিয়া, পৰস্পৰৰ মাজত সহানুভূতি হোৱা নিতান্ত স্বাভাৱিক। অকল সহানুভূতিয়ে নহয়, বিভা আৰু গীতাৰ ব্যৱহাৰৰ তুলনা কৰি চাই গীতাৰ প্ৰতি মোৰ এটা আকৰ্ষণ বিশেষভাৱে অনুভৱ কৰিবলৈ ধৰিলো। এতিয়া তাইৰ চলৎ-চিত্ৰৰ ভঙ্গিত ফুৰা ঢং বেয়া নালাগি, এটা গুণ বুলি মনত হব ধৰিলে—সেই দৃশ্য বৰ মনমোহা যেন লাগিল। * * *

গীতাই মোক দেখি অভ্যৰ্থনা কৰি নিলে। ঘৰৰ সকলোৰে লগতে পৰিচয় কৰি দিলে। গীতাৰ বাপেক নাই, মাক, মোমাই, মামী, মোমাইৰ চাৰিজন লৰা-ছোৱালী বৰ্ত্তমান। ডাঙৰটো লৰা, তাৰ বয়স ১৩ বছৰ মাথোন। আন দুজন ছোৱালী এজনৰ বয়স ১০ আৰু সৰুজনীৰ বয়স ৭ বছৰ; আৰু সকলোতকৈ সৰুজন লৰাৰ বয়স তিনি বছৰমান হব।

নানা প্ৰশ্ন উঠিব ধৰিলে। বিশেষকৈ অসমৰ এৰি, মুগাৰ কাপোৰ আনি দিব পাৰোনে নোৱাৰোঁ। কোৱা বাহুল্য মোৰ নিজৰ টকা-পইছা খৰচ কৰি। পিছতহে বেচ দিব। অকল এয়ে নহয়—ম'ৰা-চৰাই পোৱালি, হলুবান্দৰৰ পোৱালি বাঘৰ পোৱালি আনি দিব পাৰোনে নাই—চাহৰ বেচ কিমান ইত্যাদি। সকলোৰে শেষত প্ৰশ্ন হল—অসমত ইমান কালা জ্বৰৰ মাজত জীয়াই আছো কেনেকৈ?

চাহ, জলপান খোৱাৰ পিছত মই সুযোগ বিচাৰিছোঁ। টকাৰ কথা পাতিবৰ বাবে—গীতাই বিচাৰিছে তাইৰ মনৰ দুখৰ কথা কবৰ কাৰণে। এতেকে সুযোগ মিলাত পলম নহল। বিশেষকৈ গীতাহঁত ব্ৰাহ্ম ধৰ্ম্মাৱলম্বী কাৰণে, ইয়াত স্ত্ৰী-স্বাধীনতা পূৰ্ণভাৱে বিৰাজ কৰিছে যেতিয়া। * * * বিভাই গীতাক সিদিনা, দেখা মাত্ৰকে যে ঘৰৰপৰা ওলাই যাবলৈ কৈছিল সেয়ে নহয়, বৰ্ত্তমানে বিভাহঁতৰ ঘৰত ঘন ঘনকৈ গীতাৰ যোৱা-অহাটোও মোৰ কাৰণে বুলি তাইৰ চৰিত্ৰৰ ওপৰত দোষাৰোপ কৰিবলৈকো ত্ৰুটী কৰা নাছিল। কথা শুনি বিভাৰ ওপৰত মোৰ খঙৰ মাত্ৰা যেনে বাঢ়িল, তেনেকৈ গীতাৰ প্ৰতি সহানুভূতিও হল; ভালেখিনি কাৰণ বিভাৰ কথাত মোৰ চৰিত্ৰৰ ওপৰতো ইঙ্গিত কৰা হৈছে। যি চৰিত্ৰতকৈ ডাঙৰ আন একো নাই—সেই চৰিত্ৰ লৈ কথা। * * *

গীতাই মোৰ কথা শুনি বৰ চঞ্চল হৈ উঠিল। কলিকতীয়া ছোৱালী; যাৰে তাৰে কথাতে টকা দিয়া প্ৰবৃত্তি বা প্ৰকৃতি তাইহঁতৰ অকণো নাই—সেই কথা ঠিক; বিশেষকৈ ইমানবোৰ টকা! কিন্তু এই ক্ষেত্ৰত তাই বৰ্ত্তমানে দিব নোৱাৰিলেও তিন দিনৰ সময় খুজিলে। সেই সময়ৰ ভিতৰত এটা কিবা ব্যৱস্থা কৰিব বুলি আশা দিলে। তাইৰ আন্তৰিক ইচ্ছা মোক খুলি কলে যে,—বিভাই যে মোক টকা দিছিল তাই তাক নাজানিছিল; কিন্তু টকা কেইটা ধাৰ দিয়াৰপৰা বিভাই ভবা উচিত নহয় যে, তাই গৃহ-শিক্ষকৰ মূৰটো কিনি লৈছে। বিভাৰ এই অহঙ্কাৰ গুচাবৰ কাৰণে তাইৰ দিয়া টকা যেনে তেনে পৰিশোধ কৰি মোক ঋণমুক্ত কৰি দি ৰং চাব।

মোৰো সেয়ে কথা। কিন্তু চব্বিশ ঘণ্টা হবলৈ আৰু পলম নাই। এই সময়ৰ ভিতৰতে টকাখিনি ওভোতাই দিব পাৰিলে অলপো সৰু হৈ থাকিব নালাগিলহেতেন। এতিয়া কৰ্ত্তব্য কি?

মই নিশ্চিন্ত হব পৰা নাই। গীতাই যদি তিন দিনৰ মূৰত টকা দিব নোৱাৰে, তেনেহলে? এতেকে ঘৰলৈ চিঠি দিলোঁ। কেইদিনমান আগতে দেউতাৰ এখন চিঠি পাইছিলোঁ। তেওঁ লিখিছিল যে, মোৰ ভাবী শহুৰে এই অহা মাঘতে বিয়াখন পাতিব খোজে। আইতাৰো

সেয়ে ইচ্ছা। মই—'এতিয়া নহব' বুলি উত্তৰ দিছিলো। এতিয়া সেই মত পৰিৱৰ্ত্তন কৰি বিয়াৰ মত দি লিখিলো। মাঘৰ আৰু বেছি পলম নাই ; এতেকে মোৰ ভাবী শহুৰৰপৰা, বিয়াৰ বয়-বস্তু কিনাৰ কাৰণে চিঠি পোৱা মাত্ৰকে যেন এক হাজাৰ টকা পঠিয়াই দিয়ে। ঠিক কৰিলো এই টকা পালেই, তাৰপৰা ৪০০৲ টকা বিভাৰ ধাৰ সুজিম নাইবা গীতাই যদি তিন দিনৰ মূৰত দিব পাৰে সেই ধাৰ সুজিব পাৰিম। কাবুলীৰ ধাৰৰ পিছত এটা ব্যৱস্থা কৰা হব। নাইবা বিয়াৰ বস্তু নিকিনি তাৰ ধাৰো মিটাই দিম।

আজি ১৫ দিন হৈ গল বিভাৰ টকাৰ একো দিহা কৰিব পৰা নাই। গীতাইঁতৰ ঘৰলৈ ইয়াৰ ভিতৰতে তিনি চাৰি দিন গৈও টকা পোৱা নাই। 'নোৱাৰিম দিব' বুলিও কোৱা নাই। লাভ হৈছে অকল তাইৰ লগত ইডেন গাৰ্ডনত ভিক্টৰিয়া মেমৰিয়েল হলত আৰু লেকত 'হাৱা' খোৱা। ইফালে ঘৰৰো কোনো খবৰ নাই। অৱশ্যে ইয়াৰ ভিতৰত বিভাৰো আন কোনো তাগিদ পোৱা নাই। নাপালেও তাইৰ চিঠিৰ কথা মই এক মুহূৰ্ত্ততো পাহৰিব পৰা নাই। অৱশেষত গীতাই এদিন মাতি পঠিয়ালে। * * * গীতাৰ মাকে কলে যে,—'এই টকাটো দিব পাৰিব, কিন্তু এটা কথা আছে'। কথা আষাৰ জানিব খোজাত তেওঁ অলপ ভূমিকা কৰি কব ধৰিলে—"দেখ, জীৱেশ, গীতা তোমায় ভালোবাসে তা অৱশ্য জানো। তুমিও তাকে ভালোবাস বোলেই আমাদেৰ বিশ্বাস, যদি তুমি মত কৰ' তা'হোলে তোমাৰ হাতেই তাকে সম্প্ৰদান কৰি। আৰ যে টাকাটা সম্প্ৰতি তোমাৰ দৰকাৰ, সেটা বিয়েৰ যৌতুক হিসেবে আগাম দেই—কি বলো ?" (চোৱা জীৱেশ, গীতাই তোমাক ভাল পায়, তাক অৱশ্যে তুমি জানা। তুমিও তাইক ভালপোৱা বুলি আমালোকৰ বিশ্বাস। যদি তুমি মত দিয়া তেনেহলে তোমাৰ হাততে তাইক সম্প্ৰদান কৰোঁ। আৰু যি টকাটো সম্প্ৰতি তোমাৰ দৰকাৰ, তাক বিয়াৰ যৌতুকৰূপে আগধৰি দিওঁ, কি কোৱা ?)

এনে এটা ডাঙৰ প্ৰস্তাৱ শুনিবৰ বাবে মই অকণো সাজু নাছিলোঁ। ইমান সহজে তাইক যে পোৱা যাব সেই কথা সপোনৰো অগোচৰ। গীতাৰ সঙ্গ বৰ্ত্তমানে সুখকৰ হলেও তাইক লাভ কৰিম বুলি কেতিয়াও মোৰ কল্পনাতো অহা নাছিল। তাৰ ওপৰত মোৰ পিতাই, হিন্দু বঙালী ছোৱালী বিয়া কৰাত আপত্তি কৰিব—ব্ৰাহ্ম বা খৃষ্টান তো বহুত দূৰৰ কথা। অকল সেয়ে নহয়—মোৰ কইনা ঠিক হৈ আছে। এতেকে হঠাতে উত্তৰ দিয়া মোৰ পক্ষে অসম্ভৱ হল।

মোক ইতস্ততঃ কৰা দেখি গীতাৰ মাকে আকৌ কবলৈ ধৰিলে—"দ্যাখো, বাবা—তোমায় না পেলে গীতা পাগোল হ'বে। অমোন ভালো-লক্ষ্মী মেয়ে আৰ একটি খুঁজে পাবে না। নিজেৰ মেয়ে বো'লে যে অতো প্ৰশংসা কোৰচি তা নয়। তুমি ওৰ সঙ্গে দুদিন্ ভালোক'ৰে মিশ্‌লেই নিজেই সব বুঝ্‌তে পাৰবে। ওৰ হাতেৰ শেলাই দেখেচ ? এস্‌ৰাজে 'ইউনিভাৰ্‌সিটি-কম্‌পিটিশ্যনে' ও 'গোল্ডমেডেল্' পেয়েছে এবাৰ।" (চোৱা বোপা—তোমাক নাপালে গীতাই বলিয়া হব। এনে ভাল-লক্ষ্মী ছোৱালী আন এজনী বিচাৰি নাপাবা। নিজৰ ছোৱালী বুলি যে ইমান প্ৰশংসা কৰিছোঁ তেনে নহয়। তুমি তাইৰ লগত দিনচেৰেক ভালকৈ লগ লাগিলেই নিজে সকলো বুজিব পাৰিবা। তাইৰ হাতৰ ছিলাই দেখিছানে ? এছৰাজ বাজনাত বিশ্ববিদ্যালয়ৰ প্ৰতিযোগিতাত তাই সোণৰ পদক পাইছিল এবেলি।)

মই ইয়াৰ গুৰুত্ব মনে মনে চিন্তা কৰি, একো উত্তৰ নিদি অকল হুকাৰ ধৰি যাব ধৰিলোঁ। তেওঁ আগৰ দৰেই বকিবলৈ ধৰিলে—"আমি এ'কথা বেশ বোল্‌তে পাৰি, তোমাদেৰ দু'জনেৰ মিলন হো'লে—দু'জনেই সুখী হবে।" (মই এই কথা বঢ়িয়াকৈ কব পাৰো তোমালোকৰ দুজনৰ মিলন হলে দুয়ো সুখী হবা।)

'ঘৰৰ পিতৃ-মাতৃৰ মত নোলোৱাকৈ বৰ্ত্তমানে একো কব নোৱাৰি, এতেকে ক্ষমা কৰে যেন' বুলি কোৱাত তেখেতে নিৰুৎসাহ নহৈ মোক বুজাবলৈ ধৰিলে—"খুব ভালো কথা। তবে য়্যাক্‌টা কথা মনে ৰাখতে হবে—যাকে নিয়ে তোমায় জীবোন কাটাতে হবে, যিনি তোমাৰ সহধৰ্ম্মিণী

হবেন তাঁকে নিৰ্ব্বাচন কৰাৰ বা গ্ৰহণ কোৰবাৰ অধিকাৰ সম্পূৰ্ণ তোমাৰী। তাঁৰা যদি মত নাই কোৰলেন্, তাঁৰা যদি তাঁদেৰ পছন্দোমতো—সে'কেলে ধৰণেৰ যাকে তাকে ধৰে এনে তোমাৰ পাশে বসিয়ে দ্যায়, তাতে কি তোমাৰ সুখ শান্তি কিছু হবে, না তোমাৰ আৰ গীতা দুজনেৰি জীৱন ব্যৰ্থ হয়ে যাবে ?" (বৰ ভাল কথা। পিছে এটা কথা মনত ৰাখিব লাগিব—যাক লৈ তোমাৰ জীৱন কটাব লাগিব, যেয়ে তোমাৰ সহধৰ্ম্মিণী হব তেওঁক বাছি লোৱাৰ বা গ্ৰহণ কৰাৰ অধিকাৰ সম্পূৰ্ণ তোমাৰে। তেঁওলোকে যদি মত নকৰে তেঁওলোকে যদি তেঁওলোকৰ পছন্দ মত—সি-কলীয়া ধৰণৰ যেই সেই এজনক ধৰি আনি তোমাৰ ওচৰত বহুৱাই দিয়ে, তাত কি তোমাৰ সুখ-শান্তি হব, নে তোমাৰ আৰু গীতাৰ দুজনেৰে জীৱন ব্যৰ্থ হৈ যাব ?)

মই কথা আষাৰ ঠিক উপলব্ধি কৰিব পাৰোঁ বা নোৱাৰোঁ বিভাৰ টকা কেইটাৰ কাৰণে বৰ অশান্তিত আছো। যেনে তেনে টকা লাগে। চাৰিশ টকা ধাৰলৈ দি ইমান অহঙ্কাৰ তাইৰ ! তাৰ ওপৰত মই খঙত বিভাইঁতৰ ফালে নগলেও অন্ততঃ বিভাৰ এখন চিঠি পাম বুলি ভাবিছিলোঁ—কোনো অধিকাৰ নাই যদিও। কোনো কাৰণো নাছিল অৱশ্যে। নাথাকক টকাৰ নিমিত্তে তাগিদ দিও লিখিব পাৰিলেহেতেন। কিন্তু তাইৰ অগ্ৰাহ্যৰ ভাব দেখি দিন যোৱাৰ লগে লগে মোৰ খঙৰ মাত্ৰাও বাঢ়ি যাব ধৰিছিল। মই ভূত ভবিষ্যত সকলো চিন্তা এৰি দি গীতাক বিয়া কৰাম বুলি স্বীকাৰ কৰিলোঁ। কলোঁ—"আপোনাৰ স্নেহৰ দান মই অগ্ৰাহ্য কৰিব নোৱাৰোঁ।" আশীৰ্ব্বাদ কৰক যেন গীতাক পাই মই সুখী হব পাৰো।"

তেওঁ শুনি মহা ৰং মনেৰে গীতাক মাতিলে। তাই আহিলত, গীতাৰ মাকে তাইৰ এখন হাত আৰু আন হাতে মোৰ এখন হাত ধৰি, দুয়োজনৰ হাত মিলাই দি কলে—"এই ধৰো,—সত্যিকাৰ দান তোমায় কোল্‌লুম্ ; লৌকিক দান অৰ্থাৎ বিয়ে শীঘ্ৰ যাতে হোতে পাৰে তাৰ ব্যৱস্থা কৰচি। আশীৰ্ব্বাদ কচ্চি—তোমৰা সুখী হও—তোমাৰ প্ৰাণ গীতাৰ হো'ক্, গীতাৰ প্ৰাণ তোমাৰ হো'ক—দুজনেৰ প্ৰাণ সেই পৰোম দয়ালেৰ হো'ক।" (এই ধৰা—প্ৰকৃত দান তোমাক কৰিলোঁ ; লৌকিক দান অৰ্থাৎ বিয়া যাতে সোনকালে হব পাৰে তাৰে ব্যৱস্থা কৰিম। আশীৰ্ব্বাদ কৰো তোমালোক সুখী হোৱা—তোমাৰ প্ৰাণ গীতাৰ হ'ক, গীতাৰ প্ৰাণ তোমাৰ হ'ক—দুয়োৰ প্ৰাণ সেই পৰম দয়ালৰ হ'ক।)

মোৰ গা শিহঁৰি উঠিল। বুজিব পাৰিলোঁ, গীতায়ো অচিন্ত্যপূৰ্ব্ব ঘটনাত চক খাই উঠিল, কিন্তু মুখেৰে একো নামাতিলে—বাধাও নিদিলে। মই তেওঁৰ ভৰিত ধৰি ভক্তিভৰে প্ৰণাম কৰিলোঁ। মাকে আমাক বহিবলৈ কৈ টকা আনিবৰ বাবে খোটালিৰ ভিতৰলৈ সোমাই গল। মোক নিৰ্জ্জনত পাই গীতাই কলে—"মা অগ্ৰ-পশ্চাৎ না ভেবেই যা-তা কোৰে ফেল্‌তে চায়। অৱশ্য কতকটা দোষ আমাৰ। আমি সব কথা খুলে বলিনি তাকে।" (আইতাই আগ-পাছ নাভাবি যি ইচ্ছা তাকে কৰি পেলাব খোজ। অৱশ্যে কিছু দোষ মোৰো আছে। ময়ো সকলো কথা কোৱা নাই তেওঁক।)

আৰু বেছি কথা নহল। মাকে আহি চাৰিখন এশ টকাৰ নোট মোৰ হাতত দিলে। শুভস্য শীঘ্ৰম্ ! মই পলম নকৰি আকৌ তেওঁৰ ভৰি ছুই প্ৰণাম কৰি ওলালোঁ—বিভাহতৰ ঘৰলৈ বুলি।

১৭

বিভাই তেতিয়া অকলে পঢ়া কোঠালিত কিবা লিখিব ধৰিছিল। মই ঘৰত সোমাই পোনেই তাইৰ মুখৰ আগত টেবিলৰ ওপৰত নোট চাৰিখন থৈ দি কলো—"ঋণ শোধ হ'ল। কোনো অপৰাধ নলবা—বহুত পলম হল টকা জোগাৰ কৰোতে।—বোধকৰোঁ দেখি আচৰিত হৈছা—পলাই দেশলৈ যোৱা নাই দেখি ?—বিদায়।"

মই ওলাই আহিব ধৰিছো এনেতে বিভাই কোমল মাতেৰে কলে—"দৰকাৰ নাই এতিয়া, লৈ য'ক। যেতিয়া লাগিব তেতিয়া খুজিম।" অলপ জোৰে কলো—"কেতিয়াও নহয়। তোমাৰ টকা মই ৰাখিম কিয় ? এই টকাখিনিৰ কাৰণেই ইমান অপমান সহিছোঁ।"

বিভাই মিচিকিয়া হাঁহি এটা মাৰি কলে—"অপমান, নে মান ৰক্ষা হৈছিল? ইমান খং ভাল নহয়,—ৰাখি য'ক।"

সুৰ নৰম কৰি কলোঁ—"নহয় বিভা, সি নহব। মনত দুখ-বেজাৰ কৰিব পাৰোঁ, কিন্তু খং কৰিম কাৰ ওপৰত? যি দুখীয়া, যি চাকৰ তাৰ খং বা মান-অভিমান কি আছে! দৰকাৰত টকা নিছিলোঁ, এতিয়া ধন্যবাদেৰে সৈতে ওভোতাই দিছোঁ।—সুদ লাগে যদি—কোৱা, কাইলৈ লৈ আহিম।"

মোৰ কথা শুনি বিভাৰ অন্তৰত যেন দুখ লাগিব ধৰিছিল; কিন্তু সুদৰ কথা শুনা মাত্ৰকে খং কৰি উঠিল, তাক তাইৰ মুখ দেখি স্পষ্ট বুজিল পৰা গল। তাই উত্তৰ দিলে—"বন্ধু ভাবি দিছিলোঁ অভাবত—সুদৰ আশাত দিয়া নাছিলোঁ। কিন্তু এতিয়া মোক 'ফ্ৰেণ্ড' (friend) বুলি নাভাবে নিশ্চয়?"

"বন্ধু! তেনেহলে শত্ৰু কোন? যিজনে 'ৰে'ছ' খেলিবৰ নিমিত্তে টকা দি সৰ্ব্বনাশৰ বাটত আগবঢ়াই দিয়ে, তেওঁ বন্ধুনে আন কিবা?—মহাশত্ৰু!"

এই কথা শুনি বিভা তবধ লাগিল। মই মনে মনে ৰং পালো। উচিত কথা মুখৰ ওপৰত শুনাই দিয়াৰ বীৰত্বৰ গৌৰৱত আত্মপ্ৰসাদ লাভ কৰিলোঁ। তাই চকুযুৰি ছল্-ছল্ কৰি তিনিখন নোট লৈ, এখন মোৰ ফালে ঠেলা মাৰি দি কলে—"তিনি শ টকাহে ধাৰলৈ দিছিলোঁ।"

পুৰীলৈ যাবৰ সময়ত দি যোৱা নোটখনৰ কথা মই সোঁৱৰাই দিলো। তাৰ উত্তৰত তাই কলে—"সি ধাৰ নহয়।"

মোৰ 'মেজাজ' তেতিয়া গৰম। টান কৰি সুধিলো—"ধাৰ নহয় যদি কি অনুগ্ৰহৰ দান?"

বিভাই মোৰ কথাৰ সুৰ শুনি আচৰিত হৈ মোৰ মুখৰ ফালে চাই ৰল। পিছত কপাল তেতেৰেমা কৰি তলৰ ওঠ কামুৰিবলৈ ধৰিলে; কিন্তু একো নামাতিলে। লোকৰ মানসিক অৱস্থাৰ বিচাৰ কৰিবৰ মোৰ সময় নাই, প্ৰবৃত্তিও নোহোৱা হৈছে। মই আকৌ কলো—"তোমাৰ পাপ (টকা) সুজিবৰ বাবে বিধৰ্ম্মী গীতাক বিয়াৰ প্ৰতিশ্ৰুতি দি এই টকা আনিছো—ৰক্ষা পৰিলোঁ।"

শুনি বিভাৰ মুখখন মুহূৰ্ত্ততে মৰা মানুহৰ নিচিনা শেতা পৰি গল। হাতৰ নোট তিনিখন টেবিলৰ ওপৰত দলিয়াই দি দুই হাতেৰে চকু ঢাকিলে। ভাবিলোঁ ঠিক জব্দ কৰা হল। তাই আৰু পলম নকৰি লৰ মাৰি ভিতৰলৈ গুচি গল। মই মাতিলোঁ—"টকা লৈ যোৱা—নহলে মই এৰি গুচি যাম।"

বিভাই কোনো জবাব নিদিলে। ইচ্ছা হ'ল—নোটবিলাক এৰি থৈ ওলাই আহোঁ। যি হয় হব—তাত মোৰ কি, মই তাইৰ হাতত দিছো যেতিয়া? আকৌ ভাবিলোঁ এনেই ওলাই গলে—কেনোবা চাকৰ-খান্সামাই নিব পাৰে।—'নদেৱায় নধৰ্ম্মায়'—যাব। কি কৰিম ভাবিছো। এনেতে ওপৰ মহলাত চিঞৰ বাখৰ শুনিবলৈ পালোঁ, চাৰিও ফালৰপৰা "কি হল কি হল" ৰব উঠিল। কোনোবাই দেখিবৰ ভয়ত নোট চাৰিখন বুকুৰ জেপত লৈ পঢ়া কোঠালিতে থিয় হৈ ঘটনাটো কি জানিবৰ বাবে উৎকণ্ঠিত হৈ উঠিলোঁ। পিছত এজন চাকৰক শুধি ইয়াকে মাথো জানিবলৈ পালো যে—বিভাই তলৰপৰা লৰ মাৰি ওপৰলৈ গৈ "মা-গো" বুলি চিঞৰি এখন 'ইজি চেয়াৰত' বহি অজ্ঞান হৈ পৰিছে। ডাক্তৰ আহিলেহে বুজিব পৰা যাব কি হ'ল।

শুনি মনটো বৰ চঞ্চল হৈ উঠিল। কি কৰ্ত্তব্য ভাবিছো, এনেতে ঘৰৰ লিগিৰী এজনী আহি বিভাৰ মাকৰ নাম কৰি মোক মাতিলে। কিন্তু জীয়েকৰ লগত কাজিয়া কৰি মাকৰ লগত খাতিৰ কৰা মোৰ প্ৰবৃত্তি নহ'ল। 'বিশেষ কাম আছে—কাইলৈ আহিম' বুলি ঘৰৰপৰা ওলাই আহিলোঁ।

১৮

শাৰীৰিক অৱসাদৰ লগত মনৰো অৱসাদ আহিছে। বিভাই উচিত টকা খোজাৰ কাৰণেই কি মোৰ ইমান খং তাইৰ ওপৰত? তাই টকা দিছিল কোনো সৰ্ত্ত কৰিতো নহয়। মই বিদেশী। চোৱা মাত্ৰকে দূৰৰ কথা, দলিল হেণ্ডনোট আদি দিও টকা পাবলৈ নাই। এনেকি বস্তু

বন্ধক দিলেও মানুহে ৰাখিবলৈ ইতস্ততঃ কৰে—চোৰাই মাল হব পাৰে ভয়ত। কিন্তু বিভাই কিহৰ কাৰণে বিশ্বাস কৰিলে? সেই খাতিৰৰ ফল এয়ে হল যে—অজ্ঞান হৈ শুই থকা শুনিও এবাৰ তাইক চাবলৈ নগৈ চোৰৰ নিচিনাকৈ গুচি আহিলোঁ। অকল সেয়ে নহয় তাইৰ মাকে মাতিছে বুলি শুনিও মই অগ্ৰাহ্য কৰি ওলাই আহিছোঁ—সকলো সম্বন্ধ ছিঙি দি। অপৰাধ—টকা ধাৰলৈ দি খুজিছিল। এনেকুৱা প্ৰায় সকলোৱে কৰে—নিবৰ সময়ত ভৰিত ধৰি কান্দি, দিবৰ সময়ত মহা খং। ময়ো দেখো সেই দলৰে। হায়, মোৰ মনুষ্যত্ব ক'ত? এটা মিছা অভিমানত আচ্ছন্ন হলোঁ। কিন্তু বিভা! কি তাইৰ মহান উদাৰ চৰিত্ৰ! টকা দিলোঁ—নিব নোখোজে। অৰ্থাৎ মোক মুক্তি দিব নোখোজে। মই কি মুক্তি খোজো? যি কৰিছোঁ অকল খঙৰপৰাহে।—তাইৰ ওপৰত মোৰ খং উঠে ক'ৰপৰা? তাইৰ ওপৰত খঙে অকল তাইৰ চিন্তাই যে মোক বিভোৰ কৰি পেলাইছে। গীতাক মই আজি কালি ভাল পাওঁ সঁচা, কিন্তু বিয়াৰ প্ৰতিশ্ৰুতি দি টকা অনাটো কেৱল বিভাৰ ওপৰত খঙৰ বা অভিমানৰ কাৰণে। হায়, মোৰ ইকি হল! কোন ঘটনাৰপৰা কোন ঠাইলৈ উটি যাব ধৰিছোঁ? বিভা—বিভা, ৰক্ষা কৰা মোক। ক্ষমা কৰা মোক। মই কাইলৈ গৈ তোমাৰ হাতত ধৰি ক্ষমা ভিক্ষা কৰিম।

* * * *

মোৰ 'ৰেছ' খেলাৰ মন্ত্ৰী, মোৰ বিপদত কাবুলীৰপৰা টকা ধাৰৰ বন্দবস্ত কৰি দিয়া পৰম বন্ধু, 'জকি' আদিৰ লগত পৰিচয় কৰি দিয়া পৰম আত্মীয়, মোৰ সুৰা-প্ৰাশণ কৰি দিয়া মোমাইতকৈও আপোন 'ৰুম্-মেটে' অঘোৰে ঘুমাবলৈ ধৰিছে। ৰাতি এটা, দুটা কৰি ক্ৰমে তিনিটা বাজি গল—টোপনি নাহে। যেন শয্যাকণ্টক উপস্থিত হৈছে। অগত্যা বন্ধুৰ পালেঙৰ তলৰপৰা এটা আধামান শেষ হোৱা 'হুইস্কিৰ' বটল উলিয়াই লৈ আধা 'পেগ্', ঢালি লৈ—ছোডা-ৱাটাৰৰ অভাৱত পানীৰ সৈতে মিহলাই খালোঁ। সুৰা সম্বন্ধে মোৰ সিদিনাৰেপৰা লাজ বা কুসংস্কাৰ আঁতৰি গৈছিল। তৃপ্তি নাপাই আকৌ আধা 'পেগ;—আৰু আধা 'পেগ'। ইমান পৰত নিদ্ৰাদেৱীয়ে তেওঁৰ শান্তিময়ী কোলাত মোক টানি ললে। টোপনি ভাগিল যেতিয়া তেতিয়া নটা বাজি গৈছে। ভীষণ মূৰ কামুৰিবলৈ ধৰিছে। গা বেয়া লাগিছে। বন্ধুৰ পৰামৰ্শত আকৌ আধা 'পেগ্'মান হুইস্কি খোৱাতহে অলপ প্ৰকৃতিস্থ হলোঁ।

* * * *

ৰাতিৰ চিন্তা ৰাতিৰ লগতে গৈছে। বিভাৰ ওচৰলৈ গৈ ক্ষমা ভিক্ষা কৰাৰ কথা মনত পৰাত এতিয়া লাজহে লাগিব ধৰিলে। কিন্তু টকাখিনি তাইক দিয়া হোৱা নাই। কোন মুখ লৈ আকৌ তাইহঁতৰ ঘৰলৈ যাম! গতিকে 'মনিঅৰ্ডাৰ' কৰি পঠিয়াম ভাবিব ধৰিলোঁ। পিছে, যদি গ্ৰহণ নকৰি ফিৰত দিয়ে? ক্ষতিনোকি তাত? মোৰে লাভ। কিন্তু সি নহব! তাইৰ টকা দিব নোৱাৰালৈকে মোৰ শান্তি নাই! * * *

তলৰপৰা মাত আহিল—"ডেকা ছাহাব" লৰালৰিকৈ গৈ চালোঁ, গীতাহঁতৰ 'বেহাৰা' (Bearer)। এখন চিঠি দিলে—গীতাৰ মাকে চাহ খাবলৈ মাতিছে—আবেলি! "যাম" বুলি লিখি দি 'বেহাৰাক' এটা আধলি 'বকছিছ' দিলোঁ। এজন ডেকাই জোৰ কৰি চিঠিখন চাই—সকলোকে মাতি মোৰ সৌভাগ্যৰ কথা প্ৰচাৰ কৰি দিলে। এটা আনন্দৰ 'হৈ হৈ' ৰব উঠিল। অলপ পিছতে ডাক-পিয়নে এক হাজাৰ টকাৰ 'ইন্সিওৰ লেটাৰ' দিলে—পিতাই পঠিয়াই দিছে। লগতে এখন চিঠি দিছে—তাৰ মৰ্ম্ম—'কাল আৰু পাত্ৰৰ পৰিৱৰ্ত্তন হলেও 'বৰ-পণ'ৰ কু-প্ৰথা আমাৰ প্ৰদেশতো সংক্ৰামিত হয় এইটো মোৰ বিবেক বুদ্ধিৰ সম্পূৰ্ণ বাজ; কিন্তু অৱস্থা বৈগুণ্যত তোমাৰ পঢ়া খৰচখিনি হাত পাতি লবলৈ বাধ্য হৈছোঁ। কাৰণ তাত উভয় পক্ষৰে স্বাৰ্থ আছে। কিন্তু বিয়াৰ খৰচ বা পণ নাইবা বাধ্যতামূলক যৌতুক আদায় কৰাৰ মই সম্পূৰ্ণ বিৰোধী। এতেকে বিয়াৰ কাপোৰ-কানি আৰু আন আন আৱশ্যকীয় খৰচৰ কাৰণে এডোখৰ মাটিকে বন্ধক দি ৫০০৲ টকা পঠালোঁ। আন পাঁচশ—তোমাৰ ভাবি শহুৰে উপযাচি তোমাৰ বিয়াৰ যৌতুকৰূপে আগধৰি দিলে।

হিচাব কবি খবচ কবিবা। তুমি শিক্ষিত, এতেকে তোমাকৈ বেছি লিখা বাহুল্য।'

'লিখা বাহুল্য' অৰশ্যে জানো—মই শিক্ষিত—কলিকতা বিশ্ববিদ্যালয়ৰ এজন গ্ৰেজুৱেট। কিন্তু ইফালে মই যে হস্তী মূৰ্খ নিচিনা কি বাহুল্যত পৰি গৈছোঁ তাক কেনেকৈ কাক বুঝাম। হায় বিশ্ববিদ্যালয়, তুমি বিদ্যা দিব পাৰা, কিন্তু প্ৰকৃত শিক্ষা যে বহুত দূৰত। এজন নিৰক্ষৰ বৰ্ব্বৰ হলেও নিশ্চিন্ত হব পাৰিলোহেতেন। কিন্তু মই আচৰিত হওঁ এই বুলি যে বহু উচ্চ শিক্ষাভিমানীয়ে দেখো লোকৰ সৰ্ব্বনাশ কৰিও নিৰ্ব্বিকাৰচিত্তে থাকিব পাৰে। কিছুমানে বিনা দোষত বা সামান্য দোষত নাইবা আনৰ ওপৰত খং কৰি অবলা তিবোতা নিজৰ দৈনন্দিনৰ সৰ্ব্বনাশ কৰি ৰং পায়। কিন্তু মই যে নোৱাৰোঁ—এনে মোৰ দুৰ্ব্বল অন্তৰ। ভগৱান! মোৰ ভাবি শহৰে টকাৰ নাম শুনি—বিয়াধন ভাঙি নিদিলে কিয়? নাইবা কেইদিনমানৰ আগতে এই টকাখিনি নাহিল কিয়? তেনেহলে আজি মই গীতাৰ লগত বিয়াৰ প্ৰতিশ্ৰুতিক্ৰম নাগপাশত বদ্ধ নহলোহেঁতেন। ভগৱান, ই কি কৰিলা প্ৰভু! 'বেছ' খেলাটোৱেই ইয়াৰ মূল নহয়নে? নহয় বিভাই পুৰীলৈ মোৱাৰ সময়ত এশ টকা দি নগণে মোৰ এনে কাণ্ড—এনে সৰ্ব্বনাশ—এনে পৰিৱৰ্ত্তন কেতিয়াও ঘটিবলেহেঁতেন। বিভা! বিভা!!

—আক আছে

যুদ্ধৰ পথত ইটালি আৰু এবিছিনিয়া

—শ্ৰীযুত সুৰেন্দ্ৰনাথ বৰকটা বি-এ

আজি এবিছিনিয়াৰ নামত গোটেই পৃথিবী তোল-পাৰ। কেইমাহমানৰ আগতে যাৰ নাম হয়তো পৃথাক্ষৰেও শুনিবলৈ পোৱা নগৈছিল আজি সেই দেশৰ নাম বাতৰি কাকত আৰু আলোচনীৰ পাতে পাতে আৰু মানুহৰ মুখে মুখে প্ৰচাৰ হৈছে। কম-বেছি অনুসাৰে পৃথিবীৰ আজি সকলো দেশৰ গৱৰ্ণমেণ্টেই এবিছিনিয়াৰ সমস্যা লৈ সচকিত হৈ উঠিছে। ইটালিয়ে এবিছিনিয়াক আজি যিদৰে গ্ৰাস কৰিবলৈ উপক্ৰম কৰিছে এবিছিনিয়াৰ এই নিঃসহায় অৱস্থা দেখি পৃথিবীৰ প্ৰায়বিলাক জাতিয়েই অন্তৰেৰে এবিছিনিয়াক সহানুভূতি দেখুৱাইছে।

এবিছিনিয়াৰ পৰিচয়

এবিছিনিয়া আফ্ৰিকাৰ পুৰ্ণ উপকূলত অৱস্থিত এখন অতি প্ৰাচীন আৰু ক্ষমতাশালী ৰাজ্য। ইয়াৰ মাটি-কালি ৩,২০,০০০ বৰ্গ মাইল আৰু লোক-সংখ্যা প্ৰায় ৩০ লাখ। ইয়াৰ পূৰে যথাক্ৰমে বৃটিছ আৰু ইটালিয়ান ছোমালিলেণ্ড, পশ্চিমে ছুডান দেশ, উত্তৰে ইবিট্ৰিয়া আৰু দক্ষিণে কেন্দ্ৰ প্ৰদেশ। এবিছিনিয়াৰ নিজৰ বুলিবলৈ এটি বন্দৰো নাই। পূৰ্ব দিনে অৱস্থিত ফৰাছীৰ জিবুটি নামৰ বন্দৰ এটাৰপৰা এবিছিনিয়াৰ ৰাজধানীলৈ যাবলৈ এটি ডাঙৰ বেলৰ আলি আছে। ই দীঘলে প্ৰায় ৩০০ মাইল।

এবিছিনিয়া দেশখন পৰ্ব্বত আৰু পাহাৰেৰে পৰিপূৰ্ণ এখন অতি ওখ মালভূমি। ইয়াৰ কোনো কোনো ঠাই সাগৰৰ লেভেলতৰপৰা ১২,০০০ ফুটৰো বেছি ওখ। ছেণ্টেম্বৰ মাহত ইয়াৰ হাৰা-পানী ইংলণ্ডৰ হাৰা-পানীৰ দৰে। কিন্তু এপ্ৰিলৰপৰা ছেপ্টেম্বৰলৈকে এই কেইমাহ বৰ বৰষুণ আৰু বতাহ হয়। বাৰিষা কালি ৩,০০০ ফুট ওখ ঠাইবিলাক বৰ গৰম হৈ পৰে। কেতিয়াবা একোটা ডাঙৰ ধুমুহা বতাহ মাৰিলে যেনিবা এই গৰমৰ অৱসান হয়।



এবিছিনিয়াৰ নামতি প্ৰদেশৰ দাবেছা নৈৰ ওচৰৰ এই ঠাইবিলাক যাতায়াতৰ সুবিধা নথকা হৈ বাঁহনি-গছনিৰে ভৰি আছে। তাৰ মানুহে এইবিলাকৰ মাজেৰি অহা-যোৱা কৰিব লাগে।



এবিছিনিয়াৰ আখো নগৰপৰা প্ৰায় বাৰ মাইল আতৰত থকা এখন নৈৰ ওপৰৰ পুৰণি শিল সাকো। এই নৈৰ (আখো নগৰৰ) আন পাৰৰ সুবিস্তীৰ্ণ ঠাই হাবিৰে পৰিপূৰ্ণ। এই ঠাই ডকাইতঁৰ লীলাভূমি। এই হাবিৰ কাষেৰি ঘোৱা জল-পথৰ বণিকসকলক ডকাইতঁতে আক্ৰমণ কৰিবলৈ সুচল পায়।

ওখ পৰ্ব্বতীয়া ঠাইবিলাতকৈ দ ঠাইবিলাক আৰু বেছি বাসৰ অনুপযোগী। ইয়াৰ বতাহ সদায় গৰম। ডেনেকিল ডিপ্ৰেছন বোলা প্ৰকাণ্ড দ ঠাইৰ বতাহ প্ৰায়ে ধূলি আৰু গন্ধকযুক্ত। ইয়াৰ মানুহবিলাকৰ স্বভাৱ উৱনীয়া চৰাইৰ নিচিনা (nomadic)। ইবাণীবিলাকৰ দৰে ইহঁতে ৰাতে ততে ঘুৰি ফুৰে। ইহঁতৰ জীৱিকা নিৰ্ব্বাহৰ উপায় হৈছে যুদ্ধ আৰু হত্যা।

এবিছিনিয়ানবিলাকৰ বৰ্ত্তমান ধৰ্ম্ম খৃষ্টিয়ান। এওঁলোকে খৃষ্টিয়ান বুলি নিজে নিজে বৰ গৌৰান্বিত বোধ কৰে। পোন্ধৰ শ শতিকাত মেতিয়া মুছলমানে এবিছিনিয়া আক্ৰমণ কৰে তেতিয়া এবিছিনিয়ানবিলাক ইছলাম ধৰ্ম্মৰ ঘাবাও কিছু পৰিমাণে প্ৰভাৱান্বিত হয়। কিন্তু মুছলমান ধৰ্ম্মৰ প্ৰভাৱ এবিছিনিয়াত বেছি দিন থাকিবলৈ নাপালে। কিয়নো ১৫৪৩ চনত মুছলমানসকলক এবিছিনিয়াৰপৰা বহিষ্কৃত কৰি দিয়া হয়। লিজ ৰাজু নামৰ এজন উদ্ধত প্ৰকৃতিৰ এবিছিনিয়ান ৰজায়ো ১৯১৫ চনত মুছলমান ধৰ্ম্ম গ্ৰহণ কৰি প্ৰজাৰ অপ্ৰীতিভাজন হৈছিল। কিন্তু এওঁ দুবছৰমানো শাসন কৰিবলৈ নৌ পাওঁতেই সিংহাসনচ্যুত হয় আৰু



ছুডানলৈ ঘোৱা বাটচ। ব্যৱসায়ীসকলে এই বাটেদি অহা-যোৱা কৰোতে ডকাইতৰ হাতৰপৰা ৰক্ষা পৰিবলৈ বন্দুক লগত বান্ধিব লাগে।

১৯২১ চনত প্ৰজাৰ হাতত বন্দী হয়। ১৯৭ চনত বৰ্ত্তমান ৰজা বেছ টেফাৰিয়ে সিংহাসন আৰোহণ কৰে।

তেতিয়াৰেপৰা এবিছিনিয়াত শৃঙ্খলা আৰু শান্তি প্ৰতিষ্ঠিত হৈছে।

এবিছিনিয়ানবিলাকে তেওঁলোকক এবিছিনিয়ান বুলি কলে বৰ অস্বস্তি বোধ কৰে। তেওঁলোকৰ দেশৰ পুৰণি আৰু



এবিছিনিয়াৰ আম্বোৰ ওচৰৰ স্বাস্থ্যকৰ ঠাই এডোখৰত ইংৰাজ ভ্ৰমণকাৰী এদলৰ তম্বু।

আছল নাম ইথিয়পিয়া (Ethiopia) আৰু সেইদেখিয়েই তেওঁলোকে নিজকে ইথিয়পিয়ান বা ইটিয়পিয়াভেন (Itiopiyavan) বুলি কবলৈ ভাল পায়। এবিছিনিয়া নামটো তেওঁলোকক আৰববিলাকে দিছিল; ইয়াৰ অৰ্থ হৈছে মিহলি জাতি (Mongrel বা Mixed Race);



এবিছিনিয়াৰ মেণ্ডি নামৰ এখন গাওঁ। ই বেহা বেপাৰৰ কেন্দ্ৰ ঠাই হৈ উঠিছে।

কিয়নো এবিছিনিয়ান জাতিটো বহুত বেলেগ বেলেগ জাতি বা সম্প্ৰদায় মিহলি হৈ গঠিত হৈছে।

ইথিয়পিয়ানবিলাকৰ মাজত এতিয়াও আগৰ অসভ্য অৱস্থাৰ ৰীতি-নীতি আৰু নিয়ম-প্ৰণালী বহু পৰিমাণে প্ৰচলিত আছে। এওঁলোকে কেচা মঙহ খাবলৈ এতিয়াও এৰা নাই। যদি কেতিয়াবা এওঁলোকৰ ৰজা-ৰাণীয়ে



এবিছিনিয়াৰ নাকামটি প্ৰদেশৰ এজন নিগ্ৰো যুৱাক

সৈন্যবিলাকক ভোজ খাবলৈ নিমন্ত্ৰণ কৰে তেনেহলে সৈন্যবিলাকে চোতালৰ আগত লেপেটা কাঢ়ি বহি লয় আৰু তেওঁলোকৰ আগত জীয়াই জীয়াই হত্যা কৰা গৰু বা ম'হবিলাক দাসবিলাকে বিলাই দিয়ে। তেজ বৈ থকা এই জন্তুবোৰ দেখি সৈন্যবিলাকৰ জিভাৰ পানী পৰিবলৈ ধৰে। সিহঁতে নিজৰ খাপৰপৰা তৰোৱাল উলিয়াই ৰাজপ্ৰাসাদলৈ এটি নমস্কাৰ জনায়। তাৰ পিছত তৰোৱালেৰে খণ্ড-বিখণ্ডকৈ কাটি সেই কেচা মঙহবোৰ মুখত গুজিবলৈ ধৰে!

এবিছিনিয়াত গৰু-ম'হ আদিৰ বৰ সস্তা। একোটা বলদ বা ষাঁড় গৰু ১১।১২ টকাত কিনিবলৈ পোৱা যায়। দু অনা দহ পইছাত এটা ভেৰা ছাগলি কিনিব পাৰি! কুকুৰাৰ যোৰাই চাৰি অনা, পাঁচ অনা। কিন্তু এবিছিনিয়াত মাছ আৰু শাক-পাচলিৰ বৰ আটক। বিশেষকৈ এবিছিনিয়াৰ ৰাজধানী এডিছ আবাবাত মাছ পোৱা বৰ কঠিন।

ছোমালিলেণ্ডৰ সীমাত এবিধ ক'লা এবিছিনিয়ান সম্প্ৰদায়ৰ মাজত এটা বৰ জঘণ্য প্ৰথা আছে। তেওঁলোকে মুনিহ মানুহ যিমানে হত্যা কৰিব পাৰে সিমানে তেওঁলোকৰ গৌৰৱ। প্ৰত্যেকটো মানুহ মৰাৰ পিছতেই যিজন মানুহে হত্যা কৰে তেওঁৰ জাঠি ডালত এটি পিতলৰ বান্ধ নতুকৈ দি লয়। অইন কি পুৰুষ সন্তান জন্ম দিয়া মাককো প্ৰসৱ শয্যাতে হত্যা কৰা বুলি শুনা যায়।

এবিছিনিয়ানবিলাকৰ বিবাহ-প্ৰথাও অসভ্য জাতি-বিলাকৰ দৰে। কন্যাৰ ৰূপ আৰু বংশ-মৰ্য্যাদা অনুসৰি কন্যাৰ মূল্য বাঢ়ে। সেই অনুপাতে কন্যাৰ বাপেকক



এবিছিনিয়াৰ আদিম অধিবাসী। এই সকল মুছলমান ধৰ্ম্মাৱলম্বী হৈছে। এইসকলৰ ভিতৰত এটি প্ৰথা আছে—মতাসকলে একোটা হিপপটেমাছ নামৰ জন্তু মাৰিব পাৰিলেহে বিয়া কৰাব পাৰে।

ভেৰা ছাগলি নাইবা গৰু দিব পাৰিলেই কন্যা লাভ কৰিব পাৰি। ধৰ্ম্ম-মন্দিৰ বা নামঘৰলৈ বিয়া কৰিবলৈ যাওঁতে শাসনৰ প্ৰতীক স্বৰূপে দৰাজনে লোহাৰে বন্ধোৱা এডাল সোঁকা আৰু চাবুক হাতত লৈ যায়।

ইথিয়পিয়ান তিৰোতাবিলাক বৰ কৰ্ম্মী। পথাৰৰ টান কাম সকলোবোৰ তিৰোতায়ে কৰে। কেতিয়াবা কেতিয়াবা গাধৰ লগত তিৰোতাকো একেলগে জুটি হাল বোৱা হয়। যদি স্বামীয়ে কাম-বন কৰাত নিজৰ তিৰোতাৰ ওপৰত অসন্তুষ্ট হয়, তেনেহলে তেওঁ শোধ-পোছ নোহোৱাকৈ সেই তিৰোতাক বাপেকৰ ঘৰলৈ খেদাই দিব পাৰে।

এবিছিনিয়াত দাসত্বৰ প্ৰথা মহাযুদ্ধৰ আগলৈকে আছিল। অলপ দিনৰ আগলৈকে আৰব, টাৰ্কি আৰু আন আন মুছলমান ৰাজ্যবিলাকলৈ এবিছিনিয়াৰপৰা দাস ৰপ্তানী কৰা হৈছিল।



টানা হ্ৰদৰ ওচৰৰ মঠৰ খৃষ্টান ধৰ্ম্মযাজক

এবিছিনিয়া দেশখনৰ সৰহভাগ মাটিয়েই বৰ সাৰুৱা। অন্ততঃ ওখ সমতল ভূমিবিলাকৰ উৰ্ব্বৰতা অতি বেছি। এই ঠাইবিলাকত জান-জুৰি আদি বৈ খেতি কৰা পথাৰবোৰ বৰ সাৰুৱা আৰু উপযোগী কৰি তুলিছে। ইয়াত কফী আৰু কপাহ বিনা যত্নতে অতি বেছি পৰিমাণে হয়।



টানা হ্ৰদৰ মাজত থকা দ্বীপৰ সম্ৰাট য়েছুৰ কবৰ। ইয়াত ১৫৪৩ খৃষ্টাব্দত এবিছিনিয়াৰ ভাগ্যৰ পৰিৱৰ্ত্তন ঘটিছিল।

কুঁহিয়াৰ, খেজুৰ আৰু আঙুৰো ইয়াত সহজে উৎপন্ন হয়।

এবিছিনিয়াৰ চমু বুৰঞ্জী

এবিছিনিয়ানবিলাকে বিশ্বাস কৰে যে তেওঁলোকৰ ৰজা ছলমনৰ বংশধৰ। ছলমনৰ পুতেক মেনিলেক আৰু ছেবাৰ ৰাণী বলকিছৰ সতি-সন্ততিয়েই এবিছিনিয়াৰ ৰাজ-পৰিয়াল বুলি তেওঁলোকৰ ধাৰণা।



টানা হ্ৰদত থকা দ্বীপৰ খৃষ্টান পুৰোহিত সকলৰ মঠত তেওঁলোকৰ নৃত্য। এই মঠেই এবিছিনিয়াৰ সকলোতকৈ পুৰণি খৃষ্টীয় মঠ। আৰু ই এবিছিনিয়াবাসীক খৃষ্টান ধৰ্ম্মত দীক্ষিত কৰাৰ গুৰিতে।

এবিছিনিয়াত বৰ্ত্তমান ৰাজতন্ত্ৰ শাসন-প্ৰণালী প্ৰচলিত। ইয়াৰ ৰজাৰ উপাধি নেগুছ নেগুষ্টি (Negus Negusti) বা ৰজাৰো ৰজা অৰ্থাৎ সম্ৰাট। এওঁৰ তলত এখন সৰু কাউন্সিল আছে। এই কাউন্সিলৰ তলতে জিলাৰ শাসক সকল আৰু এই শাসক বা গৱৰ্ণৰসকলৰ তলতে গাৱঁৰ গাওঁবুঢ়া বা নায়ক সম্প্ৰদায়।

প্ৰায় ১৫শ শতিকাৰ মাজ ভাগলৈকে এবিছিনিয়াৰ বুৰঞ্জীৰ বিষয়ে বিস্তৃতভাৱে একো জনা নাযায়।

১৪৯০ চনত পৰ্টুগিজবিলাকে এবিছিনিয়া আক্ৰমণ কৰি অকৃতকাৰ্য্য হয়। ১৬শ শতিকাত মুছলমানসকলে এবিছিনিয়ানবিলাকক ঘটুৱাই বেছিদিন শাসন কৰিবলৈ নৌ পাওঁতেই বিজিতসকলৰ হাতত নিজে ঘাটি এবিছিনিয়া এৰিব লগাত পৰে।

১৮৪১ চনত বৃটিছ গৱৰ্ণমেণ্টে এবিছিনিয়াত এজন কনছাল (Consul) বা ৰাজদূত নিয়োগ কৰে। কিন্তু সেইখিনি সময়ত এই ৰাজদূতৰ কাম বৰ সহজ নাছিল। কাৰণ তেতিয়া এবিছিনিয়াৰ কেবাজন নেতায়ো 'নেগুছ নেগুষ্টি'ৰ উপাধি লৈ নিজকে সম্ৰাট বুলি ঘোষণা কৰি ৰাজ্যত হুলস্থূল লগাইছিল, কিন্তু ১৯ শতিকাৰ মাজ ভাগত কাছা (Kassa) নামৰ এজন নেতাই 'সম্ৰাট তৃতীয় থিয়ড'ৰ'ৰ (Emperor Theodore III) নাম লৈ সিংহাসন আৰোহণ কৰে। তেওঁ গোটেই এবিছিনিয়াৰ ৰাজ্য পৰাজয় কৰি ইংৰাজৰ লগত মিতিৰালি পাতে। কিন্তু এবাৰ তেওঁ মহাৰাণী ভিক্টৰিয়ালৈ এখন চিঠি লিখি উত্তৰ নোপোৱাত ইংৰাজবিলাকক নিজৰ বিচাৰালয়ত অপমান কৰি বৃটিছ ৰাজদূতক বন্দী কৰে। বৃটিছে ১৬,০০০ সৈন্যৰ এটা ফৌজ পঠিয়াই দি এবিছিনিয়াৰ ৰাজ দুৰ্গ আক্ৰমণ কৰে, আৰু সম্ৰাট তৃতীয় থিয়ডৰে শেহান্তৰত একো উপায় নাপাই নিজে গুলী কৰি আত্মঘাতী] হয়।

এবিছিনিয়া মঞ্চত ইটালিৰ প্ৰৱেশ

১৮৭০ খৃঃত ইটালিৰ এটা জাহাজ কোম্পানিয়ে আছাৰ উপসাগৰৰ (Asab Bay) উপকূলত বন্দৰৰ কাৰণে



এবিছিনিয়াৰ হাবিৰ মাজত এটি পুৰণি গিৰ্জা

এডোখৰ ঠাই কিনি লয়। লাহে লাহে সেই বন্দৰৰ গৰিলা লৈ তাৰ চাৰিউফালৰ ঠাইবিলাক হেঁচি বহলাই নি লোহিত

সাগৰৰ উপকূলত ইৰিষ্ট্ৰিয়া নামৰ এখন ৰাজ্য গঠন কৰি পেলালে, আৰু ১৮৮৫ চনত মেছেৱা (Massawa) নামৰ এটা পোতাশ্ৰয় নিজ ৰাজ্যৰ লগত সংযোজিত কৰি ললে।



এওঁ এজন এবিছিনিয়াৰ ৰাজ কোৱঁৰ, এডিছ আবাবাত সম্ৰাটৰ আধুনিক সৈন্যৰ ৰণ-কৌশলৰ ছবি লব লাগিছে।

এই কথাত এবিছিনিয়াৰ ৰজা জ'নে (John) তুমুল প্ৰতিবাদ কৰে আৰু ইটালিৰ লগত এবিছিনিয়াৰ এখন ডাঙৰ সংগ্ৰাম হয়। এই সংগ্ৰামত ইটালিয়ানবিলাক বৰ বেয়াভাৱে পৰাজিত হয়।



ভাৰী যুদ্ধৰ কাৰণে এই পদাতিক সৈন্যবিলাকে খেৰ ভৰোৱা ঠেলাত বেয়নেট শিক্ষাৰ অভ্যাস কৰিব লাগিছে।

কিন্তু ৰজা জ'নৰ মৃত্যুৰ পিছত দক্ষিণ এবিছিনিয়াৰ নেতা মেনিলেকে ইটালিয়ানবিলাকৰ লগত বন্ধুতা কৰি নিজে সিংহাসনত উঠে আৰু ১৮৮৯ চনত তেওঁলোকৰ লগত এটি সন্ধি স্থাপন কৰে।

ইটালিয়ানবিলাকে ইয়াতো ক্ষান্ত নহৈ উত্তৰৰ পিনে আকৌ ৰাজ্য বঢ়াবলৈ ধৰিলে। ইয়াত মেনিলেকৰ খং উঠিল আৰু ১৮৯৫ খৃঃত এবিছিনিয়াৰ লগত ইটালিৰ আকৌ যুদ্ধ হল। এইবাৰ মেনিলেকে এক লাখ সৈন্য সংগ্ৰহ কৰিলে। ইটালিৰ মুঠেই ২০ হাজাৰ সৈন্য আছিল। সেইদেখি এই যুদ্ধত ইটালি পৰাজিত হল আৰু এবিছিনিয়াৰ স্বাধীনতা স্বীকাৰ কৰিবলৈ বাধ্য হল।

ইয়াৰ ১৭ বছৰৰ পিছত মেনিলেকৰ মৃত্যু হয়। তেওঁৰ পিছত তেওঁৰ ভতিজাক এজন কিছুমানদিন ৰজা হৈছিল। এওঁ মুছলমান ধৰ্ম্ম গ্ৰহণ কৰি ৰাজ্যত উৎপাত লগোৱাৰ কাৰণে ১৯১৬ চনত সিংহাসনচ্যুত হয়। এওঁৰ পিছত ৰেছ টেফাৰিয়ে এবিছিনিয়াৰ সিংহাসন আৰোহণ কৰে, আৰু এৱেঁই এবিছিনিয়াৰ বৰ্ত্তমান ৰজা। এই কথা আমি আগতে উল্লেখ কৰি আহিছোঁ।

ইটালিৰ আক্ৰোশ

ইটালিৰ বৰ্ত্তমান ভাগ্য নিয়ন্তা ছিনৰ মুছলিনি। এওঁ ফেছ্‌ছিষ্ট (Fascist) মতবাদৰ জন্মদাতা আৰু



এই এবিছিনিয়ান সৈন্য জনে ফৰাছী ছোমালিলেণ্ডৰ জিবুটি বন্দৰৰপৰা চালান হোৱা ৰাইফলৰ বাকছবোৰৰ ৰক্ষণাবেক্ষণ কৰিছে।

ইয়াৰ এজন উগ্ৰ পৰিপোষক। এই ফেছ্‌ছিজ্‌মক অন্য কথাত উগ্ৰ জাতিয়তাবাদ বুলি পাৰি। ফেছ্‌ছিষ্ট

সকলে ইটালিৰ আদৰ্শ, কৃষ্টি আৰু সভ্যতাৰ বৰ পোষণ কৰে। তেওঁলোকে নিজৰ জাতি আৰু সভ্যতাৰ কাৰণে প্ৰাণ বিসৰ্জ্জন দিবলৈ, সাজু। ("I am desperately Italian"—Mussolini) এসময়ত যেনেকৈ ৰোমৰ



এডিছ আবাবাৰ ৰেইলৱে ষ্টেশনত বিদেশৰপৰা অহা অস্ত্ৰ-শস্ত্ৰৰ বাকছৰ দ'ম।

সভ্যতা আৰু কৃষ্টি গোটেই পৃথিবীতে বিয়পি পৰিছিল, ৰোমে এসময়ত যেনেকৈ সাহিত্য, বুৰঞ্জী, গৱৰ্ণমেণ্ট আৰু আইন আদি বিষয়ত গোটেই পৃথিবীতে প্ৰভুত্ব স্থাপন কৰিছিল, এতিয়াও ইটালিক সেই প্ৰভুত্ব লাগে। খৃঃ পূঃ ইংলণ্ড অধিকাৰ কৰা জুলিয়াছ ছীজাৰৰ দৃষ্টান্তই মুছলিনিৰ প্ৰাণলৈ আজি উন্মাদনা আনে। ইটালিৰ সভ্যতা আৰু কৃষ্টি দেশে-বিদেশে প্ৰচাৰ হওক, ইটালিৰ নিচান সুদূৰ দেশত উড্ডীয়মান হওক এয়ে মুছলিনিৰ ইচ্ছা। সেইদেখি আজি মুছলিনিক মৃগ-তৃষ্ণাই আকুল কৰি তুলিছে। আৰু এবিছিনিয়া মৃগ স্বৰূপে মুছলিনিৰ দৃষ্টিৰ আগত উপস্থিত হৈছে।

ইটালিয়ে এবিছিনিয়া আক্ৰমণ কৰাৰ কাৰণ কেবাটাও। প্ৰথম কাৰণ হৈছে ইটালিৰ লোকসংখ্যা লাহে লাহে বৃদ্ধি হব লাগিছে। এই বৃদ্ধি হোৱা লোকবিলাক আন কোনো ঠাইলৈ যাবলৈ সুবিধা নাই। দ্বিতীয়তে এবিছিনিয়া জয় কৰিব পাৰিলে তাত বেহা-বেপাৰ চলাবলৈ বৰ সুচল হব। খেতি-বাতি কৰিবলৈও এবিছিনিয়াৰ দৰে সুবিধা আৰু সাৰুৱা ঠাই নাই। ইটালিয়ে এই উৰ্ব্বৰ দেশ আক্ৰমণ কৰিব পাৰিলে তাত কপাহ খেতিৰে ওপচাই দিব পাৰিব। তেতিয়া হলে আৰু ইটালিয়ে বছৰি কোটি-কোটি টকা দি আমেৰিকাৰপৰা কপাহ কিনিব লগাত নপৰিব। তৃতীয় কাৰণ হৈছে পূৰ্ব্ব আফ্ৰিকাত এবিছিনিয়াৰ সীমাত লগ লাগি ইটালিৰ দুখন উপনিবেশ আছে। এখন ইৰিট্ৰিয়া আৰু আনখন ইটালিয়ান ছোমালিলেণ্ড। এই দুখন উপনিবেশৰ লগত এবিছিনিয়া অধিকাৰ কৰিব পাৰিলে পূব আফ্ৰিকাত ইটালি সৰ্ব্বেসৰ্ব্বা হৈ উঠিব। আৰু তেতিয়া হলে ইটালিয়ে লোহিত সাগৰত নিজৰ অপৰিমেয় প্ৰভুত্ব চলাব পাৰিব। ইয়াৰ উপৰিও ইটালি আগতে "ক'লা, বৰ্ব্বৰ আৰু অসভ্য" এবিছিনিয়াৰ হাতত দুবাৰ পৰাজিত হৈ আছে। মদগৰ্ব্বী মুছলিনিয়ে এই হিজাৰৰ কথা জীৱনত কেতিয়াও পাহৰিব নোৱাৰে। এইবিলাক কাৰণতেই ইটালিয়ে আজি এবিছিনিয়া গ্ৰাস কৰিবলৈ উদ্যত হৈছে।

কিন্তু বিনা কাৰণত মুছলিনিয়ে এবিছিনিয়া আক্ৰমণ কৰে কেনেকৈ? মুছলিনিৰ সুবিধাৰ কাৰণে ইতিমধ্যে কেইটামান কাৰণো উপস্থিত হল। যোৱা ১৯৩৪ চনৰ ১৯ নবেম্বৰ তাৰিখে এবিছিনিয়ান সৈন্যই উত্তৰ এবিছিনিয়াৰ



বাৰছেগলিয়েৰি (Bersagliari) নামৰ এই সামৰিক সমুদ্ৰ জাহাজখনে ইটালিয়ান সৈন্যবিলাক লৈ নেপল্‌ছ বন্দৰ এৰি পূব আফ্ৰিকালৈ যাত্ৰা কৰিছে।

গণ্ডাৰত (Gondar) ইটালিৰ প্ৰতিনিধিক আক্ৰমণ কৰে। আকৌ সেই একে বছৰতে ৫ ডিছেম্বৰ তাৰিখে এবিছিনিয়ান বিলাকেই ইটালিয়ান ছোমালিলেণ্ডৰ সীমাত থকা ৱালৱাল

(Walwal) বোলা ঠাইত ইটালিয়ান সৈন্যক পুনৰ আক্ৰমণ কৰে। এতিয়া মুছলিনিৰ সুযোগ মিলিল! সেইদেখি তেওঁ এবিছিনিয়া গ্ৰাস কৰিবলৈ কেইটামান দাবী উপস্থিত কৰিলে। প্ৰথমতে তেওঁ বিচাৰিছে এবিছিনিয়াত ইটালিৰ অৰ্থনৈতিক সুবিধা, দ্বিতীয়তে ইটালিৰ উপনিবেশ আৰু এবিছিনিয়াৰ মাজত আছল সীমা নিৰ্ণয় কৰা; তৃতীয়তে ইৰিট্ৰিয়াৰপৰা ইটালিয়ান ছোমালিলেণ্ডলৈ এটা ৰেলৰ লাইন খোলা আৰু চতুৰ্থতে এবিছিনিয়াত ইটালিৰ পৰামৰ্শদাতা নিয়োগ কৰা। স্বাধীন ৰজা হৈ এবিছিনিয়াৰ সম্ৰাটে এই সৰ্ত্তবোৰ মানি চলিবলৈ স্বভাৱতে অসমৰ্থ বোধ কৰিলে। তেওঁ কয় যে অৰ্থনৈতিক সুবিধা দিবলৈ তেওঁ হয়তো ৰাজী হব পাৰে। কিন্তু বাকীবোৰ সৰ্ত্ত তেওঁ কেতিয়াও মানি চলিব নোৱাৰে। মুছলিনি সহজে এৰা বিধৰ মানুহ নহয়। তেওঁ যুদ্ধ কৰি হলেও এবিছিনিয়াক তেওঁৰ সৰ্ত্তবোৰ মানিবলৈ বাধ্য কৰিব। অৰ্থাৎ এবিছিনিয়াক ইটালিৰ শৰণাগত কৰিব। এবিছিনিয়াৰ সম্ৰাটে নিৰুপায় হৈ জাতিসঙ্ঘৰ অনুগ্ৰহ আৰু সাহায্যৰ কাৰণে আবেদন কৰিলে। এই দুই জাতিৰ মাজত হোৱা বিবাদ আপোছে মিটমাট কৰিবৰ কাৰণে ছালিছি ব'ৰ্ড বহিল কিন্তু মুছলিনিৰ আকোৰ-গজালি



পূবআফ্ৰিকাকৈ যাবলৈ সাজু হোৱা ইটালিয়ান সৈন্যৰ ভিৰ

স্বভাৱৰ কাৰণেই এই ব'ৰ্ড ভাগি থাকিল। পেৰিছত বৃটিছ, ফ্ৰেঞ্চ আৰু ইটালিয়ান এই তিনি শক্তিৰ মাজত ভিতৰুৱা মন্ত্ৰণা চলিল, কন্‌ফাৰেন্স হল, কিন্তু সকলো বোৰ মুছলিনিৰ কাৰণেই ধ্বংস পালে। মুছলিনিয়ে এবিছিনিয়াক কৰতলগত কৰিবই—এয়ে হৈছে তেওঁৰ দৃঢ় প্ৰতিজ্ঞা।



ৰাজ প্ৰাসাদৰ দুৱাৰ মুখত থিয় হৈ এবিছিনিয়ান সম্ৰাটে ইটালিৰ লগত আসন্ন যুদ্ধ সম্পৰ্কে এবিছিনিয়াবাসীৰ আগত বক্তৃতা দিব লাগিছে।

সমৰায়োজন

ইতিমধ্যে দুয়ো শক্তি ভাবী সংগ্ৰামৰ কাৰণে বৰ ব্যস্ত হৈ উঠিছে। ইটালিয়ে এবিছিনিয়াক জয় কৰিবলৈ সকলো ফালৰপৰা আয়োজন কৰিছে; আৰু এবিছিনিয়াই বিদেশী শত্ৰুৰ হাতৰপৰা নিজৰ স্বাধীনতা ৰক্ষা কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছে।

ইতালিয়ে জাতিসঙ্ঘ বা অন্যান্য শক্তিবৰ্গৰ লগত আপোছ মীমাংসালৈ সমূলি অপেক্ষা আৰু ভ্ৰূক্ষেপ নকৰি দিনে দিনে পূব আফ্ৰিকালৈ সৈন্য-সামন্ত, বন্দুক-বৰতেপ, অস্ত্ৰ-শস্ত্ৰ, যুদ্ধ জাহাজ, আকাশীয়ান আদি সৰবৰাহ কৰিব লাগিছে। মুছলিনিৰ নিজৰ দুজন পুতেকক বিমান বিভাগত আৰু জোৱায়েকক প্ৰচাৰ বিভাগত কাম কৰিবলৈ পঠোৱা হৈছে। আফ্ৰিকাত ইটালিৰ এতিয়ালৈকে ৪০০ আকাশীয়ান মজুত আছে। মুছলিনিয়ে ঘোষণা কৰিছে যে তেওঁ পোন প্ৰথমতে আকাশৰপৰা আকাশীয়ানৰ সহায়ত বোমা নিক্ষেপ কৰি এবিছিনিয়ানবিলাকৰ মাজত ভীতি

আৰু আতঙ্কৰ সৃষ্টি কৰিব। এই আকাশীমানবিলাক ইটালিৰ আণ্ডাৰ ছেক্ৰেটৰি জেনেৰেল ভালিয়ে (General Vali) নিজে পৰিচালনা কৰিব।



অভিষেকৰ সময়ত সম্ৰাট ৰেছ টেফাৰি। এই অভিষেক উৎসৱত গ্ল'ছেষ্টাৰৰ ডিউকো উপস্থিত আছিল।

যোৱা আগষ্টৰ শেষ সপ্তাহত ছিনৰ মুছলিনিয়ে এদল বিৰাট ইটালিয়ান সৈন্যৰ যুদ্ধৰ কৌশল পৰীক্ষা কৰি চাইছে। তেখেতে এই সৈন্যবিলাকৰ কৃত্ৰিম যুদ্ধ-প্ৰণালী আৰু কৌশল দেখি তৃপ্তি লাভ কৰিছে আৰু কৈছে যে আকস্মিক যুদ্ধৰ সন্মুখীন হবলৈ আৰু দুই লাখ সৈন্যৰ প্ৰয়োজন হব। "জগতে এই কথা জানি থওক যে যেতিয়ালৈকে ইটালিৰ বিৰুদ্ধে অযুক্তিকৰ অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰস্তাৱ চলিব সেই পৰ্য্যন্ত আমি আমাৰ সৈন্য, নাবিক আৰু বৈমানিকৰ সংখ্যা হ্ৰাস হবলৈ নিদিম।"

এতিয়ালৈকে এবিছিনিয়াৰ লগত যুদ্ধ কৰিবলৈ ইটালিৰ প্ৰায় দহ লাখ সৈন্য সাজু হৈ আছে। ইংৰাজে ছুয়েজ খাল বন্ধ কৰি ইটালিৰ যুদ্ধ-জাহাজ আৰু সৈন্য সৰবৰাহত বাধা জন্মাব বুলি ভয় দেখুৱাত মুছলিনিয়ে বৰ্ত্তমান কেইবাখনো ডেষ্ট্ৰয়াৰ আৰু ছাবমেৰিণ লোহিত সাগৰেদি উত্তৰ আফ্ৰিকালৈ পঠাইছে। তাৰ উপৰিও তেওঁ অলপতে ভূমধ্য সাগৰত ইটালিৰ যুদ্ধ জাহাজবিলাকৰ কৃত্ৰিম ৰণ-কৌশল পৰীক্ষা কৰি চাবলৈ মনস্থ কৰিছে।

স্থলযুদ্ধ সম্পৰ্কে মুছলিনিয়ে ইৰিট্ৰিয়াৰ এছ্‌মাৰা (Asmara) বোলা ঠাইত বিশেষভাৱে মনোযোগ দিছে। তাত ইঞ্জিনিয়াৰবিলাকে ৰাস্তা আৰু ৰেইলৱে লাইন নিৰ্ম্মাণ কৰাত ব্যস্ত আছে। সৈন্যবিলাকৰ খোৱা বস্তু সহজে ৰচীত ওলোমাই টানি নিবৰ কাৰণে ৰাস্তাত খুটা পুতি ৰচী টানি বান্ধি দিয়া হৈছে। তাৰ উপৰিও মালভূমিত সৈন্যবিলাকক আহাৰ যোগাবলৈ খেতি কৰিবৰ কাৰণে চাৰিওপিনে ডাঙৰ ডাঙৰ খাল খানি পানী সৰবৰাহৰ সুন্দৰ ব্যৱস্থা কৰিছে।

অৱশ্যে ইথিয়পিয়ান সম্ৰাটেও ইটালিৰ লগত যুদ্ধ কৰিবলৈ যথাসাধ্য সাজু হৈছে। কিন্তু ইটালিৰ লগত সমানে যুজিবলৈ এবিছিনিয়াৰ শক্তি নাই। এবিছিনিয়াই ইটালিৰ বিৰুদ্ধে আধুনিক প্ৰণালীৰে মাথোন তিন দিনহে যুদ্ধ কৰিব পাৰিব। কাৰণ এবিছিনিয়াৰ যুদ্ধৰ আহিলা-পাতি নিচেই কম।

কিন্তু প্ৰকৃতিয়ে এবিছিনিয়াক বহুত সুবিধা দিছে। এই দেশখন পৰ্ব্বত পাহাৰ, বিল-পিতনিৰে পৰিপূৰ্ণ। এইবিলাক প্ৰাকৃতিক সুবিধাৰ সুযোগ লৈয়ে এবিছিনিয়াই



এবিছিনিয়ান সাম্ৰাজ্ঞী জেডুটি

ইটালিক ১৮৯৬ চনত ঘটুৱাই থৈছে। অৱশ্যে আধুনিক ইটালিৰ শক্তি-সামৰ্থ্য আগতকৈ অনেক গুণে বৃদ্ধি হৈছে। কিন্তু তথাপিও ইটালি যুদ্ধত জিকিলে যুদ্ধৰ পাছত

ইথিয়পিয়ানবিলাকে পাহাৰ-পৰ্ব্বত আৰু গহ্বৰত লুকাই থাকি অনিয়মিতৰূপে অকস্মাতে ইটালিয়ান সৈন্যক আক্ৰমণ কৰিবলৈ সুযোগ নেৰিব।

এবিছিনিয়ান সৈন্যৰ সংখ্যা এতিয়ালৈকে কিমান সঠিককৈ নিৰ্দ্ধাৰণ কৰিব পৰা নাযায়। সম্ৰাট টেফাৰিৰ শৰীৰ ৰক্ষাৰ কাৰণে ৩,০০০ অতি নিপুণ সৈন্য আছে।



ইটালিৰ ভাগ্যনিয়ন্তা ছিনৰ মুছলিনি

এই সৈন্যবিলাক আধুনিক সামৰিক শিক্ষাত বেলজিয়ামৰ শিক্ষকৰ দ্বাৰা শিক্ষিত। এওঁলোকৰ মাজত পদাতিক, অশ্বাৰোহী আৰু গোলণ্ডাজ এই আটাই কেউবিধ সৈন্য আছে।

ইয়াৰ বাহিৰে প্ৰাদেশিক বেৰন (Baron) বিলাকৰ কৰ্ত্তৃত্বাধীনত কিছুমান সৈন্য আছে। এইবিলাকৰ সংখ্যা দুই লাখৰপৰা তিনলাখলৈকে হব। ইয়াৰ উপৰিও প্ৰজা সাধাৰণৰ মাজৰপৰা ছয়, সাত লাখ সৈন্য পোৱাৰ আশা কৰিব পাৰি। কিন্তু পাছৰ দুবিধ সৈন্য আধুনিক শিক্ষা-প্ৰণালীত সমূলি অনভিজ্ঞ। এওঁলোকে ৰাইফল সঞ্চালন আদি কামত এতিয়াও পৰিপাটিকৈ শিক্ষা লাভ কৰা নাই।

ইথিয়পিয়ান সম্ৰাটে নিজে এটা বগা ঘোঁৰাত উঠি এক লাখ অদৃষ্টবাদী সৈন্যক যুদ্ধ-ক্ষেত্ৰত পৰিচালনা কৰিব বুলি ঘোষণা কৰিছে। তেওঁ ইথিয়পিয়ান সৈন্য আৰু প্ৰজাবৰ্গক তেজোদ্দীপক বাণীৰে সদায় উত্তেজিত কৰিব লাগিছে। তেওঁ কৈছে যে বিদেশীৰ তলত দাসত্ব স্বীকাৰ কৰাতকৈ মৃত্যু শত গুণে শ্ৰেয়। ইথিয়পিয়ান ৰাণীয়ে ১৬ দিনৰ এটি ব্ৰত উদ্‌যাপন কৰি ভগৱানৰ ওচৰত শান্তি কামনা কৰিছে। তেওঁ আৰু কৈছে যে এইবিলাক চেষ্টা সত্বেও যদি শান্তিভঙ্গ হয় তেন্তে তেৱেঁই সৰ্ব্বপ্ৰথমে যুদ্ধৰ কাৰণে এবিছিনিয়ান সৈন্যক উৎসাহিত আৰু প্ৰৰোচিত কৰিব। আজি এবিছিনিয়াৰ ৰজা-প্ৰজা সকলোৰে প্ৰাণত নিজ জন্মভূমিৰ স্বাধীনতা ৰক্ষাৰ কাৰণে প্ৰবল আকাঙ্ক্ষা জাগি উঠিছে। (আগলৈ)



বেদ তথ্য আৰু তত্ত্ব

অনুভূতি

[আগেয়ে প্ৰকাশ হোৱাৰ পাছৰপৰা]

—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য

অনুভূতি যিহক ইংৰাজী ভাষাত Intution বোলে ই ভগৱানপ্ৰদত্ত স্বাভাৱিক জ্ঞান। এই জ্ঞানেই ইতৰ প্ৰাণীক বিপদলৈ ভয় ৰখাই সাৱধান কৰে। মানুহৰ অনুভূতি ইতৰ প্ৰাণীৰে সৈতে একে হলেও কিছু ওখ ধৰণৰ, এই বেদ-সত্য তত্ত্বই ওখ জ্ঞানলৈ নি মানুহক অনুমান কৰিবলৈ আভাষ দিয়ে। পুৰাণৰ প্ৰবাদবিলাকে আখৰ নোলোৱা যুগৰপৰা পুৰুষ পৰম্পৰা অনুভূতিৰ মাজেদি প্ৰকাশ হৈ ক্ৰমে বৈজ্ঞানিক সত্য ৰূপে আবিষ্কৃত হৈ আহিছে যে বৰ্ত্তমান অনেক বৈজ্ঞানিকে অনুভূতি প্ৰবাদবিলাক খুচৰি চাই আছল সত্য প্ৰমাণ কৰিছে। মানুহতকৈ বেছি আচৰিত জীৱ নাই। মানুহে নিজক পঢ়িহে, বেদ প্ৰকাশ কৰিছে। ভগৱানক তত্ত্বজ্ঞসকলে বাহিৰ আৰু ভিতৰ (within and without) দুই ঠাইতে দেখা পায়। এই নিমিত্তে নৰৰূপী নাৰায়ণতেইহে ভগৱানক যে দেখা পায়, ই অতি সত্য কথা। ইয়াৰ পূৰ্ব্বেই দেখাই আহিছোঁ যে বসুমতীৰ কোষৰপৰা যেনেকৈ উৰণ, বুৰণ, গজন, ভ্ৰমণ-চাৰিবিধ প্ৰাণী উৎপত্তি হৈছে মানুহো তেনেদৰে বসুমতীৰ কোষৰপৰা যে উৎপত্তি হোৱা নাই এই বুলি কব নোৱাৰি। কোষৰ ক্ৰমবিকাশ হৈহে বহু কালৰ পিছত পৃথিবীৰ দেশে দেশে বা ঠায়ে ঠায়ে মাটি-পানী-বতাহৰ গুণ অনুসাৰে ৰং-বিৰঙৰ মানুহ জন্ম হৈছে। জীৱ জগত সৃষ্ট হোৱাৰ বহু পিছত পৃথিবীত মানুহে দেখা দিছে। অতি পলমকৈ মানুহ সৃষ্টি হোৱাৰ কাৰণ কি? এই কথাৰ কাৰণ অনুভূতিৰপৰা প্ৰকাশ হোৱা কথা ধৰি বিৱৰ্ত্তন ৰহস্য তত্ত্বই দেখাই দিয়ে যে চৌৰাশী লক্ষ যোনি ভ্ৰমণৰ পিছতহে অনেক আকাৰ শলাই শলাই পৃথিবীত মানুহে মনুষ্য আকাৰেৰে দেখা দিছে। বিৱৰ্ত্তন ক্ৰিয়া ৰহস্য তত্ত্ব নাস্তিকে যি দৰে বুজে আস্তিকে তেনেদৰে নুবুজে। নাস্তিকে প্ৰকৃতিয়ে (Nature) কৰা বুলি কয় হয় কিন্তু প্ৰকৃতি কি তাক ভাঙি কব নোৱাৰে। প্ৰকৃতি মানে স্বভাৱ বুজায়। স্বভাৱ কিহৰ এই কথাৰ উত্তৰ দিয়াত নাস্তিকে ঠেকা খায়। স্বভাৱ বা গুণ কিবা এটা বস্তুৰহে হব পাৰে, এনেয়ে কতো নলম্ভাকৈ স্বভাৱ বা গুণ হব নোৱাৰে যে সি ধ্ৰুৱ কথা। নাস্তিকে পৰমাণুক অনাদি পাতি তাৰেই স্বভাৱ বুলি কয়; কিন্তু পৰমাণু যে সৃষ্ট বস্তু স্বীকাৰ নকৰে। দেশ, কাল, পাত্ৰ Time, space and Existance পৰমাণুৰ থকা বুলি মানিব নোখোজে। এতিয়া এই কথাকে ধৰি বিচাৰ কৰি পোনতে দেখা যাওক। পৰমাণু হৈছে পদাৰ্থ-চকুৰে মনিব নোৱাৰা পদাৰ্থ। পদাৰ্থৰ দীঘল, পুতল আৰু বেৰ আছে। A point is that which has no magnitute অৰ্থাৎ বিন্দু তাকেই বোলে যাৰ পৰিধি নাই। ভাবি চালে তথাপি তাৰ ব্যাস, পৰিধি আছে (yet it has magnitute)। এইদৰে দেখিলে পৰমাণুৰো ব্যাস, পৰিধি আছে। তিনটি পৰমাণু গোট খালে তৃশ ৰেণু হয়, চাৰিটি গোট খালে চৌশঃ ৰেণু (molicule) হয়, অণুবীক্ষণ যন্ত্ৰৰে দেখাও যায়; আৰু তেনে হলে পৰমাণুৰ থাকিবলৈ দেশ আছে। থাকিবলৈ পৰমাণুৰ দেশ আছে যি স্থলত তেনেহলে কালো আছে। আদিতে পৰমাণু কিহৰপৰা হল? এই কথাৰ উত্তৰ নাস্তিকে দিয়া অসাধ্য। পৰমাণুৰ দেশ, কাল থকা প্ৰমাণ-সিদ্ধ কথা যেতিয়া পৰমাণু নিৰাকাৰ নহয়, সৃষ্ট পদাৰ্থ। বিশ্বব্ৰহ্মাণ্ডক যিজন গৰাকীয়ে সৃষ্টি কৰিছে পৰমাণুকো

সেই জনেই কৰিছে। আগেয়ে দেখাই আহিছোঁ যে জীৱ জগত উৰণ, বুৰণ, গজন, ভ্ৰমণ বসুমতীৰ অন্তৰৰপৰা উৎপত্তি হৈছে। মানৱ জাতি যে অন্তৰৰপৰা উৎপত্তি হৈছে গোটেই প্ৰাণী জগতৰে সৈতে একে কথা।

অতি আদি কালৰ শ্ৰুতিৰূপ পুৰাণেই প্ৰমাণ কৰে যে পোনতে "বালিখিল্ল" বোলা বেগেতীয়া মানুহে এই পৃথিবীত দেখা দিয়ে। অতি কটীয়া বামন মানুহ যে আছিল এই কথা সদৌ জগতৰ মানুহে স্বীকাৰ কৰে। এতিয়াও এই মানুহৰ চিন মৰা নাই; পৰ্ব্বতে জঙ্গলে সকলো দেশতেই আছে। হিমালয় পৰ্ব্বতৰ হাবিত গছৰ ওপৰত ঘৰ সাজি এইবিলাক মানুহ বাস কৰে। অকলশৰে ভৈয়ামৰ বা পৰ্ব্বতীয়া মানুহ পালে ইহঁতে ধৰি লৈ খুৱাই বুৱাই মানুহটিক ৰাখে, বধ নকৰে। নেপালীয়ে এই বিধ মানুহক বনজাকৰি বোলে। এই বনজাকৰিয়ে খুৱাই বুৱাই মানুহটিক কেদিনমান ৰাখি পিছে বাট দেখাই দি গাৱঁলৈ বা ঘৰলৈ পঠাই দিয়ে। খাবলৈ দুখ নিদিয়ে, গাখীৰো বোলে মানুহটিক ভালদৰে খুৱায়। কিহৰ গাখীৰ খুৱায় তাকহে কব নোৱাৰি। আমাৰ অসমতো অসমীয়া মানুহক হাবিত কিবা বিচাৰি গৈ বাট হেৰুৱাই ফুৰি ঘৰত ৰাতি নোলোৱা দেখিলে পকৰাই পাই লৈ যোৱা বুলি কয়, পিছে মানুহটি ওলায়। ডফলা যদি হাবিত হেৰাই চাং নাপায়হি, তাক চুলুং আবৰে ধৰি লৈ যোৱা বুলি কয়। চুলুং আবৰো বালিখিল্লৰ দৰে এবিধ বৰ কটীয়া মানুহ। গছৰ ওপৰত ঘৰ সাজি থাকে, এই কথা আদিতে এই প্ৰৱন্ধত লিখিছোঁ। খবৰৰ কাকতত পঢ়া মনত পৰে য়ুৰোপৰ ফালেও এনে বিধৰ মানুহ আছে। অষ্ট্ৰিয়া দেশৰ হাবি পৰ্ব্বতৰপৰা এই বিধ মানুহে কেতিয়াবা কেতিয়াবা অকলে মানুহ পালে লৈ যায়। পিছে কেবাদিনো ৰাখি বোলে এৰি দিয়ে। এই কথা গধূৰকৈ চিন্তা কৰি চালে মানুহো কেচু-কুমতিৰ দৰে মাটিৰপৰাহে জন্মিছে। পকৰা পিপৰাৰপৰা কোষবিলাকৰ বিৱৰ্ত্তন ক্ৰিয়া বা ক্ৰমবিকাশ হৈ হৈ শেহত মানুহ জন্মিছে, যেনে মাছৰপৰা সাপ, সাপৰ পৰা ভেকুলি এই দৰে ক্ৰমে ক্ৰমে অগণন কোষ সৃষ্টি হৈ জীৱ জগতৰ উৎপত্তি নোহোৱা বুলি কোনে প্ৰমাণ দি কব পাৰে? জীৱ জগত বসুমতীৰপৰাই সৃষ্টি হৈছে। আদিতে উদ্ভিদ বা গজন জীৱ সৃষ্টি নোহোৱা বুলি কব নোৱাৰি; কাৰণ উৰণ, বুৰণ, ভ্ৰমণ, প্ৰাণীবিলাকৰ খাদ্য বাঁহ-বন, শিপা, ফল, মূল ইত্যাদি। এই নিমিত্তে সৃষ্টি কৰ্ত্তাই অতি আদিতে গজনবিলাক সৃষ্টি কৰি অৰ্থাৎ জীৱ জগতৰ খাদ্য প্ৰস্তুত কৰি তাৰপৰাই নানা বিধ কোষ উলিয়াই শেহত মানুহৰ কোষ প্ৰকাশ কৰি মানুহক জন্ম দিলে। এই অনুভূতিকে ধৰি ৮৪ লক্ষ যোনি ভ্ৰমণৰ পিছত দুৰ্ল্লভ মনুষ্য জন্ম বুলি আমাৰ শাস্ত্ৰে কয়। আগতে দেখাই আহিছোঁ পোনতে মানুহ পৃথিবীৰ য'তে ত'তে বা নানা দেশত বালিখিল্ল হৈহে জন্মিছিল, অনেক লক্ষ বছৰৰ পিছতহে মানুহ ওখ হৈ ডাঙৰ হৈছিল। তেতিয়া ক্ৰমে ক্ৰমে মানুহ জ্ঞানী হৈহে গাওঁ, নগৰ পাতি বাস কৰিবলৈ ধৰিলে। ক্ৰমোন্নতি বাহিৰ ভিতৰ দুই ফালৰ একেই। ইয়াক বহলাই বুজাবলৈ গলে এখন মহাভাৰত হৈ পৰে। মই লিখি ৰখা অষ্টাবক্ৰ আত্ম-জীৱনী গ্ৰন্থখনিত পাৰ্য্যমানে খুত নথকাকৈ ক্ৰমোন্নতি বুজাইছোঁ। বেদ তথ্য আৰু তত্ত্ব প্ৰৱন্ধত আগলৈ জ্ঞানৰ ক্ৰমোন্নতি কিদৰে হৈ আহিছে তাকহে দেখাম, আজিলৈ ইমানতে।

———

শিশু সাহিত্য

—শ্রীযুত সুবেন্দ্রমোহন দাস এম্-এ, বি-টি

আমার লরা-ছোরালীর পাঠাভ্যাস বহুতো হয় কিন্তু প্রকৃত শিক্ষা নহয়। কারণ শিক্ষার লগত অন্তরর যোগ অলপ আক এই শিক্ষাই আমার চিন্তাশক্তিক উদ্বগণি নিদিয়ে। য়ুরোপর সমবয়সী লরা-ছোরালীয়ে আমার দেশর লরা-ছোরালীতকৈ বেছি খবর রাখে আক আত্মপ্রত্যয়ী হয়। কিন্তু দবাচলত আমার দেশর লরা-ছোরালীর স্বাভাবিক বুদ্ধিবৃত্তি কোনো অংশে হীন নহয়। য়ুরোপীয় মাক-বাপেকে লরা-ছোরালীক সকরপবাই বহির্জগতর লগত চিনাকি কবি দিবলৈ যত্ন লয়। লরা-ছোরালীক নানাবিধ বস্তু আক বহুবিধ প্রাণীর চিত্র দেখুরাবলৈ আবস্ত করে আক সুবিধা পালে খেতি-পথার, বাগিচা, যাদুঘর আদিলৈ লৈ গৈ সকলো প্রাণী আক পদার্থ দেখুরাই লরা-ছোরালীর কৌতূহল বঢ়ায় আক চরিতার্থ করে। আমার লরা-ছোরালীয়ে কিতাপ পঢ়ে কিন্তু কেনেকৈ কিতাপ ছপা হয় তাকে নাজানে। আজির সক লরা-ছোরালীয়ে কালিলৈ যেতিয়া সংসারত প্রবেশ করিব লাগিবই ছই-চাৰিটা সংসার নীতি বিষয়েও সিইতক জ্ঞান দিলে উপকারর বাহিরে অপকার নহয়। সংসার সংগ্রামর নিমিত্তে সাজু করিবর কারণেই স্কুল কলেজর অস্তিত্ব। "Education means adaptation to environments." পারিপার্শ্বিক অবস্থার লগত সকলো বিষয়ে সামঞ্জস্য রাখি যাবে জীবন নিয়ার পারি তেনে শক্তি লাভর নাম শিক্ষা। গতিকে সকরপবাই সংসারর বহুবিধ জ্ঞাতব্য বিষয়ে লরা-ছোরালীক চিনাকি কবি দিয়া মাক বাপেকর অবশ্য কর্ত্তব্য।

বর্ত্তমান যুগর চিন্তাধারার লগত লরা-ছোরালীর প্রাণর সংযোগ রাখিব লাগে। স্বাধীন চিন্তা আক আত্মবিশ্বাস জন্মার লাগে। ভাষা শাস্ত্রর প্রয়োজনর লাভ আক শাস্ত্র পাঠ করিলেই শিক্ষার ওর নপরে। পঢ়া বিষয়বোর হৃদয়ঙ্গম করি সেই বিষয়ে ধ্যান ধারণা করিব নোরারিলে অধ্যয়নর কোনো সকাম নাই। পঢ়াশালিত যি নীতি শিক্ষা করা হয় সি যদি অকল কাণর ভিতরতেই থাকি যায়, হৃদয়ত যদি তার ধারণা নহয় তেনেহলে সি শিক্ষাই নহয়। যি শিক্ষাবপরা জ্ঞান নোপজে, চিন্তাশক্তির বিকাশ নহয়, সি শিক্ষাই নহয়। যি জ্ঞান বা চিন্তাবপরা কার্য্যকরী বুদ্ধি নজন্মে সেই জ্ঞান আক চিন্তা হৃদয়র আপদ মাগোন। আক যি শিক্ষা বা জ্ঞানর ধারাই মন আক চরিত্রর বিশুদ্ধি সম্পাদিত নহয় সেই শিক্ষা বা জ্ঞানর মূল্য বর বেছি নহয়। অর্থ, মান, মর্য্যাদাই মানর জীৱনর সর্ব্বপ্রধান লক্ষ্য নহয়। বস্তুজ্ঞান আক চিন্তাশীলতা নহলে অকল পাঠাভ্যাসতেই প্রকৃত শিক্ষা নহয়।

উপযুক্তভাবে লরা-ছোরালীক গঢ়ি তুলিবলৈ আমার দেশত সুযোগ সুবিধার অভাব। কিতাপর সহায়েবে আমি লরা-ছোরালীক শিক্ষা দিব লাগে। সর্ব্বাঙ্গ সুন্দর করি কিতাপ লিখা বা পাঠ্য বিষয়বোর সহজে হৃদয়ঙ্গম করিব পরাকৈ শিক্ষা দিয়া বর টান কাম। তথাপি কিতাপর যাবাই লরা-ছোরালীর ভাব-সম্পদ, চিন্তাশক্তি আক অনুসন্ধিৎসা জগাবলৈ চেষ্টা করা উচিত। লরা-ছোরালীক প্রথম ভাগ আক দ্বিতীয় ভাগ শিকোরা যেনে কষ্টকর সাহিত্য শিকোরা তাতোকৈ বেছি কষ্টসাধ্য। কারণ সাহিত্যত একেলগে কেবাটা বস্তুও শিকিব লাগে। আক সাহিত্যই মন আক চরিত্রর ওপরত আধিপত্য বিস্তার করে।

লরা-ছোরালীর শিক্ষা-দীক্ষার ওপরতে জাতির উন্নতি অৱনতি নির্ভর করে। মাক বাপেক, ওচর চুবুরীয়া, সামাজিক আচার-ব্যবহার ইত্যাদির নিচিনা সাহিত্যও

মানুহর প্রধান শিক্ষক। সেই কারণে লরা-ছোরালীর কারণে লিখা সাহিত্যলৈ বিশেষ মন করিব লাগে। সাহিত্যর উদ্দেশ্য সমাজর সম্যক হিত-সাধন করা। সাহিত্যই কল্পনা শক্তি সবল করে আক কল্পনা শক্তি সবল হলে আমি আনর সুখ-দুখ নিজর করি লব পারোঁ। বেয়া সাহিত্যই কল্পনা শক্তির অভাব প্রমাণ করে মাগোন। সৌন্দর্য্য যেতিয়া আখরর সহায়েবে প্রকাশ পায় তেতিয়া তার নাম সাহিত্য। মানুহর মন আকর্ষণ করিব পারে বুলিয়েই সাহিত্য এটা ডাঙর বস্তু। দেহর ক্ষুধা যেনেকৈ অন্নর দ্বারাই নিবৃত্তি হয়, সাহিত্যই তেনেকৈ মনর ভোক পলুরায়। সমাজ বা জাতি গঠনত সাহিত্যর অখণ্ড প্রতিপত্তি। যি জাতিয়ে এই শক্তির যেনে ব্যবহার করে সেই জাতিয়ে তেনেকুরা ফল পায়। সেইদেখি অকল ছপইটা পাবর আশাতে (catch penny writers) কিতাপ লিখা কোনোমতে উচিত নহয়। দেশ, কাল, পাত্র ভেদে সৌন্দর্য্য শব্দর সংজ্ঞা বেলেগ বেলেগ হয়। শিক্ষা, সংস্কার আক প্রবৃত্তির ওপরত সৌন্দর্য্যবোধ নির্ভর করে। তাহানির বহুতো সুন্দর বস্তু এতিয়া অসুন্দর বুলি বিবেচিত হৈছে। কিন্তু যি সনাতন, সত্য, সুন্দর সিয়েহে প্রকৃত শিল্প।

আমার ভাষাত শিশু সাহিত্যর যিবিলাক কিতাপ আছে সেইবিলাকর বহুতো উন্নতি সাধিব পারি। লরা-ছোরালীক ভূগোল বা বুরঞ্জী পঢ়াবলৈ হলে যেনেকৈ প্রথমতে নিজর গাঁও, তার পাছত মহকুমা, তার পাছত নিজর জিলা এইদৰে ক্রমাং দেশ বিদেশর কথা শিকোরার নিয়ম, তেনেকৈ সাহিত্যর পাঠতো প্রথমতে লরা-ছোরালীয়ে জনাশুনা বিষয় বা বস্তুর বিষয় থাকিব লাগে। নতুন শব্দ বা বাক্য রচনা বসযুক্ত সাহিত্যর লগে লগে শিকার লাগে। যি সকলো দেশতে সত্য, হিতকর তেনে কথা ঋষিসকলে গ্রন্থত পোরা যায়; কিন্তু নিজর দেশর কারণে কি আৱশ্যক আক হিতকর তাক ভাবি উলিয়াব লাগে আক শিক্ষা ক্ষেত্রত প্রয়োগ করিব লাগে। দেশ, কাল, পাত্র ভেদে কিতাপ পাঠ্য আক অপাঠ্য। দরিদ্র দেশত দারিদ্র্য নাশক পাঠ্যই পাঠ্য, দারিদ্র্য বর্দ্ধক পাঠ্য নহয়। নিজর দেশর সৌর্য্য, সাধুতা, ন্যায়পরায়ণতা, সতীত্ব আক বীরত্ব কাহিনীয়েই শিশু পাঠ্য। বিদেশর গৌৱরকাহিনীয়ে যেন দেশর প্রতি অশ্রদ্ধা নানে। সেই কারণে দেশ, কাল, পাত্র ভেদে শিক্ষার প্রকৃতি আক ধর্ম্ম ঠিবাং করিব লাগে। এজনর পক্ষে যি শিক্ষা আনক সি সুফল নিদি কুফল দিব পারে।

লরা-ছোরালীক সাহিত্য শিকাবলৈ হলে সাহিত্যর পাঠলৈ বিশেষ লক্ষ্য রখা উচিত। পাঠ্য কিতাপর বিষয়-বস্তু আক রচনা ভাল হব লাগে। আক শব্দ-ভাণ্ডারলৈ মন করিব লাগে, যাতে লরা-ছোরালীয়ে পঢ়ি বং পায় আক বিষয়-বস্তুটো সহজে হৃদয়ঙ্গম করিব পারে। যি আনন্দ দিব পারে মানুহে তাকে সহজে শিকিব বা মনত বাখিব পারে। বসতৃষ্ণা মানুহর সহজাত ধর্ম্ম। বয়সর ৎগে লগে জ্ঞান-তৃষ্ণা ওপজে। লরা-ছোরালীয়ে বহুতো কথা জানিব খোজে সঁচা কিন্তু সাধু শুনিবলৈহে বেছি ভাল পায়। নীরস রচনার ভাব লরা-ছোরালীয়ে সহজে আয়ত্ত করিব নোরারে আক পাঠ্য বস্তু হৃদয়ঙ্গম করিব নোরারিলে শিশুশক্তির অপব্যবহার, জাতীয়-শক্তির অপব্যবহার বুলিব পারি। নীরস তথা জোবকৈ লরা-ছোরালীক শিকোরা উচিত নহয়। বসাল বস্তুর বস সহজে উপভোগ করিব পারি। সেই কারণে বসতৃষ্ণা জগাবলৈ চেষ্টা করা উচিত। অকল ভাষাত অধিকার জন্মিলেই লরা-ছোরালীর কিতাপ রচনাত সিদ্ধহস্ত হব নোরারি। লরা-ছোরালীর জ্ঞানতৃষ্ণা জগাবলৈ চিন্তাশক্তি আক কৌতূহল বঢ়াবলৈ বহুতো কৌশল জানিব লাগে। কারণ বসতৃষ্ণা শিশুমনর সহজাত ধর্ম্ম হলেও জ্ঞানতৃষ্ণা বহুতর মনত বহু চেষ্টা করিহে উৎপাদন করিব পারি। বসাল আক চিত্তাকর্ষক কিতাপর যেনে আয়োজন তেনেকুরা উপযুক্ত শিক্ষকরো প্রয়োজন। যি লরার হৃদয় অধিকার করিব পারে তেওঁহে প্রকৃত শিক্ষক। বিষয়-বস্তু আক রচনাভঙ্গীয়ে যেনেকৈ লরা-ছোরালীর মনত আনন্দ দিব পারে তেনেকৈ পাঠ্য কিতাপত চিত্রও অনিবার্য্য। "A text book without pictures is like a house without windows. They let in the light of learning. They will

make an uninteresting matter interesting and an interesting one fascinating." লৰা-ছোৱালীৰ আগত সদায় ভাল ভাল আদৰ্শ দাঙি ধৰিব লাগে। কাৰণ সৰুতে যি আহি আগত দাঙি ধৰা যায় অতৰ্কিতভাৱে মানুহে তাকে অনুকৰণ কৰে। এই বিষয়ে শিক্ষকৰ দায়িত্ব বেছি (unconscious imitation in the class room)। শিক্ষয়িত্ৰীক অনুকৰণ কৰা প্ৰবৃত্তি ছোৱালীবিলাকৰ প্ৰবল। আৰু শিশু সাহিত্য লিখক সকলে মনত ৰাখিব লাগে যে পাৰিপাৰ্শ্বিক অৱস্থা আৰু সুস্থ সমাজৰ সভ্যতাৰ আহি লৈ বেলেগ বেলেগ দেশত বেলেগ বেলেগ বিষয়-বস্তুৱে বয়স ভেদে আনন্দ দান কৰে। সৈনিক বা চিকাৰীৰ কথাই আমাৰ দেশৰ হয়তো বাৰ বছৰীয়া লৰাক আনন্দ দিব কিন্তু ইংৰাজ লৰাই হয়তো আঠ বছৰ বয়সতে এইবোৰ কথা শুনি ভাল পাব।

চিন্তাই সাহিত্যৰ প্ৰাণ, ভাষা তাৰ আৱৰণ মাথোন। কিন্তু আৱৰণে প্ৰাণক শুৱনি কৰে। ভাবোৎকৰ্ষ ব্যতিৰেকে ৰচনাৰ উৎকৃষ্টতা সাধন নহয় সঁচা কিন্তু ভাষাৰ পদ্ধতি, ব্যাকৰণৰ নিয়ম বা বৰ্ণাশুদ্ধিৰ ফালে মন নকৰিলে কোনো বিষয়ে কলে বা লিখিলে সেই ৰচনা নিৰ্দ্দোষ বুলি ধৰা নাযায়। ভাষা শিকাত সহায় হব বুলিয়েই বোধ কৰোঁ স্কুলত ব্যাকৰণ শিকোৱা হয় আৰু তাৰ কাৰণে বেলেগ সময়ো নিৰ্দ্দিষ্ট থাকে, কিন্তু ব্যাকৰণ শিক্ষাৰ দ্বাৰাই উপযুক্ত ফল পোৱা দেখা নাযায়। ব্যাকৰণে লৰা-ছোৱালীক ভয়হে খুৱায়। সেই কাৰণে ব্যাকৰণৰ কিতাপ বেলেগে নপঢ়াই সাহিত্যৰ লগতে ব্যাকৰণৰ সাধাৰণ নিয়মবোৰ শিকোৱাৰ যুক্তি আছে। কিন্তু অকল ব্যাকৰণৰ কিতাপ পঢ়াবলৈ তেনে কোনো ৰসাত্মক প্ৰণালী দেখা নাযায়। ব্যাকৰণত লৰাই যেনেকৈ ৰস নাপায় বিৰক্তিহে পায়, বিশেষ যত্ন নললে শিক্ষকেও পঢ়াই ৰস নাপায়। ব্যাকৰণৰ সাধাৰণ নিয়মবোৰ সকলোৰে জনা উচিত। নহলে ভাষাৰ বেমেজালি ঘটে। কোনো ভাষা কবৰ বা লিখিবৰ সময়ত তিনিটা কথালৈ বিশেষ মন কৰিব লাগে, ভাষাৰ ৰীতি, ব্যাকৰণৰ নিয়ম আৰু বৰ্ণাশুদ্ধি। শিশু সাহিত্যিকসকলে ইংৰাজী ব্যাকৰণৰ সূত্ৰবোৰ চিত্ৰেৰে সহজবোধ্য কৰিবলৈ প্ৰয়াস পাইছে। সচিত্ৰ বঙলা ব্যাকৰণো প্ৰকাশিত হৈছে। অলপ ৰসসিক্ত কৰি চলাব পাৰিলে প্ৰকৃত নীৰস ব্যাকৰণৰ কথাও মানুহে হাঁহি-মুখে হজম কৰিব পাৰিব।



কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—কৃপাবৰ

অৰ্থনীতি

"অৰ্থানামৰ্জ্জনে দুখং আৰ্জ্জিতানাঞ্চ ৰক্ষণে।
নাশে দুখং ব্যয়ে দুখং ধিক্ অৰ্থং দুঃখভাজনম্॥"

এইষাৰ কোন পণ্ডিতৰ কথা মোৰ"ৱাকিপ" নাই। তেওঁক মই চিনিও নাপাওঁ। পামেই বা কেনেকৈ? মই অনুগ্ৰহকৈ উপজিবৰ অনেক কালৰ আগতে তেওঁ উপজি তাৰ পিছত পণ্ডিতালি কৰি, মই ধৰিব ছুব নোৱাৰা হৈ মৰি পলাই গল কিন্তু এইষাৰ কথা হলে সঁচা যে তেওঁ জীৱনত ফুটা কড়ি এটাও আৰ্জ্জিব পৰা নাছিল। এতেকে ওপৰৰ চোলোখষাৰ যে কোনোবা টোকোনা পণ্ডিতৰ কথা তাত মোৰ সন্দেহ নাই। অৱশ্যে শঙ্কৰাচাৰ্য্যয়ো এনেকুৱা সুৰতে বৰগীত এটা ৰচি গাইছিল।—যেনে,

অৰ্থমনৰ্থং ভাবয় নিত্যং।
নাস্তি ততঃ সুখলেশ সত্যং॥

শঙ্কৰাচাৰ্য্য দিগ্বিজয়ী পণ্ডিত; সেইদেখি তেওঁক টোকোনা বোলাটো নচলে; বুলিলে বাটৰ বাটকৰুৱায়ো মোৰ ওপৰত টাঙোন জোকাৰি যাব। তদুপৰি তেনেকৈ কোৱা বাবে মই মোকেই শুদায় নেৰো। মুঠতে বৰৰ বৰ কথা, সৰুৰ সৰু কথা। বৰে সৰু কথা কলেও তাক বৰ কথা বুলি ধৰিবই লাগিব। তথাপি কওঁ যে, বৰবৰুৱাৰ দ্বাৰাই বিৰচিত মহাপুৰাণ কেদেলীত শঙ্কৰাচাৰ্য্যৰ কথালৈকো ঠাই নাই। তেওঁ মাথোন ইয়াকে নম্ৰভাৱে কয় যে, শঙ্কৰাচাৰ্য্যই পৰ্ব্বতটোৰ সিফালে থিয় হৈ তাৰ টকলা শিলবোৰ দেখিছিল; আৰু বৰবৰুৱাই ইফালে থিয় দি তাৰ ইফালে থকা ৰসাল পিয়াল তমাল তৰুবোৰ দেখিছে। যি হওক ভীষ্মাকাৰ দিগ্বিজয়ী শঙ্কৰৰ শিষ্যসকলে, এইটো বৰবৰুৱা আৰু শঙ্কৰৰ ভিতৰত এটা মতভেদৰ ব্যাপাৰ বুলি ধৰিলেই বিচাৰ নিষ্পত্তি। তেনেহলে হাৰজিত কাৰো নাই। তথাপি কওঁ, লৰাইত! টকাক অনৰ্থ বুলি কোৱা কথাষাৰ তইঁতে বিশ্বাস নকৰিবিইক। বাটৰ বাটকৰুৱায়ো যদি নগৰৰপৰা উভতি আহোতে, বাটতে তইঁতক লগ পাই কৈ যায়—"লৰাইত! লৰাইত! বাপেৰ শইকীয়া হল।" তাকো তইঁতে পতিয়াবলৈ তইঁতক মই অনুমতি দিলোঁ। তাৰ কাৰণ, তইঁতৰ বাপেৰ যদি শইকীয়া হল, ভালেই, লেঠা ছিগিল; তাত কাৰো হানি-বিঘিনি নাই; আৰু নহল যদি নাই, তাতো তইঁতৰ হানি-বিঘিনি নাই; তইঁতে পুৱা যি কেইমুঠি চাউলৰ ভাত খাইছিলি, গধূলিও সেইদৰে গধূলিৰ কেইমুঠি খাবি। কিন্তু অৰ্থক অনৰ্থ বুলি কোৱা কথাষাৰ তইঁতে পতিয়ালে বিপাঙে মৰিবিইক, তইঁতক মই কৈ থলোঁ। তং কৰি চাইকচোন, অৰ্থৰ অবিহনে, ধৰ্ম্ম অধৰ্ম্ম কোনো কাৰ্য্যই সিদ্ধি নহয়। আন নালাগে, যদি তেনে কথাৰ ফুচুলনিত তইঁত অৰ্থহীন হোৱইক, তেন্তে তইঁতে গধূলি ঘৰ সোমাই দেখিবিইক যে তইঁতৰ মাৰে আখাৰ তলত জুই একুৰা দি, হাত সাবটি চকুলো টুকি বহি আছে, কাৰণ চাউলৰ টেকেলিটো কাতি। এইষাৰ ঘৰুৱা সৰু-সুৰা কথাৰেই তইঁতে পণ্ডিতসকলৰ কথাষাৰৰ "মৰ্ম্মটো" বুজি লবিইক।

অৰ্থ নহলে "দুনিয়া" নচলে, নিৰ্ঘাত কথা। আনৰ কথাকে নকওঁ, মহাত্মা গান্ধীয়েও গোটেই ভাৰত ঘূৰি-পকি অৰ্থ বুটলি ফুৰিছে। অৱশ্যে তেওঁৰ নিজৰ পেট পূৰাবলৈ নহলেও, দুখীয়াৰ মুখত এমুঠি ভাত দিবলৈ তেওঁ সেইদৰে হাবাথুৰি খাই ফুৰিছেনে নাই কচোন? অৰ্থ নহলে সেই কাৰ্য্য সিদ্ধি হয় কেনেকৈ? আনে অৰ্থ ঘটিলেহে সেইজনৰপৰা অৰ্থ খুজি আনিব পাৰি। সকলোৱে যদি অৰ্থক অনৰ্থ বুলি, অৰ্থৰ ফালে পিঠি দি, ঘৰৰ আগ-চোতালত টোকাৰি বাই বহি থাকে, তেন্তে ঘৰৰ ভিতৰ-

যনত কি হব ভাবি চাইকচোন? এতেকে লবাইহ! লবাইহ! তহঁতৰ বাপেৰ শইকীয়াই হওক বা হাজৰিকাই হওক, তাৰে কাণ নকবি তহতে মৰি-মুজি অৰ্থ গোটাবলৈ লাগি যাইক। বোলো, ধন বাগবি-জুগবি ঘটইক! উঠ-পবি ঘটইক। বওতা বাই ঘটইক! চুচবি ঘটইক! নতুবা নচলে। তহঁতৰো মৰণ, আৰু গান্ধী মহাত্মাৰ নিচিনা নিস্বাৰ্থ মানুহবো মৰণ। খবৰদাৰ, কাবো কথা শুনুনিবিহঁক! চেলেপু মানুহৰ চেলেপু কথাবৈ কাণ দিলেই গলি, জানি থবিহঁক! ডাল-দৰিদ্ৰৰ নিমিত্তে এই পৃথিবীত ঠাই নাই। আজি যাৰ হাতত বিত আছে, কাইলৈ যদি সেই বিত তাৰ হাতবপৰা সবকি যায়, তাৰ ভিকাচন ভাগিল; সি অস্পৃশ্যবো অস্পৃশ্য, অধমবো অধম হৈ পবিল। আগৰ লগৰ লগৰীয়াই আৰু তাৰ আগত মুখ নেদেখুৱায়, আৰু সি নিজেও সিহঁতৰ আগত মুখ দেখুৱাবলৈ আগবাঢ়ি যাব নোৱাবে। লগৰীয়াই তাক দেখিলে যদি সেই বিত তাৰ হাতবপৰা সবকি যায়, তাৰ ভিকাচন ভাগিল; সি অস্পৃশ্যবো অস্পৃশ্য, অধমবো অধম হৈ পবিল। আগৰ লগৰ লগৰীয়াই আৰু তাৰ আগত মুখ দেখুৱাবলৈ আগবাঢ়ি যাব নোৱাবে। লগৰীয়াই তাক দেখিলে সাত হাত দূৰ হৈ যাব; তাক দেখিলেই মুখখন সিকাতি কবিব। অনেক সময়ত ধন হেকৰাই ফটুৱা হোৱা দুৰ্কপনীয়াই নিজেও, আগৰ লগৰীয়াক বাউত দেখাদেখি হবৰ ভয়ত আওনাটে ঘুৰি যায়। ইত্যাদি কাৰণত, ববৰকৰাৰ মন নাথাকিলেও, জোৰ-জবৰদস্তি কবি তেওঁৰ মুখবপৰা গীত ওলায়:—

লগ নাই কোনেৰে যাবা চৌ-চৌ বায়?
সঙ্গ নাই কোনেৰে থাবা চৌ-চৌ বায়?
অকলশবীয়া পহু হৈ,
গাহে মুবে থহু হৈ,
থাকিবা হে, থাকিবা হে,
থাকিবা খুজুৰাই!

পৰকালৰ বিত গোটাবলৈ অনেকৰ মনে পিতপিতায়। বেছ কথা, ভাল কথা, সুন্দৰ কথা। কিন্তু পৰকালৰ বিত পানীৰ মিঠৈ। সেই মিঠৈ কথাতহে আছে, কামত নাই; কাৰণ অকল পানীৰে মিঠৈ বান্ধিবই নোৱাৰি। তাৰ বাহিৰে, পৃথিবীৰ পানী আৰু স্বৰ্গৰ পানী একে বিধৰ নহয়েই; নতুবা স্বৰ্গত বোৱা গঙ্গাধনৰ নাম অলকানন্দা আৰু পৃথিবীত বোৱাখনৰ নাম জাহ্নবী আৰু পাতালত বোৱাখনৰ নাম ভোগৱতী নহলহেঁতেন। সেই দুখন গঙ্গাৰ পানী আমাৰ কোনেও দেখাকে নাই; গতিকে সেই দুখন পানী আমাৰ হুণ্ডনী গঙ্গাৰ পানীৰ নিচিনা বুলি ভাবিবলৈ সাহকে নহয়। অনেক সময়ত কোনো বস্তুক পানী যেন দেখিলেও সি পানী নহয়; নতুবা মহাভাৰতৰ দুৰ্যোধন যুধিষ্ঠিৰৰ সভাত থলুকে জল যেন দেখি চুবিয়ধন নোকোচাগেহেঁতেন। "কথামথাৰ আঁহমথা" এনেকুৱা দেখি পৰকালৰ পানীৰ মিঠৈটো বান্ধিবলৈ এবি. সম্প্ৰতি ইহকালৰ টকাৰ মিঠৈটোকে পাবা যদি সোনকালে গোটোৱাহঁক মোৰ ভাইটিহঁত; তুমিতো আজি পৰকালত নাই; আছা ইহকালত। যদি তুমি পৰকালতহে আছা ভাবিছা, তেন্তে তোমাৰ বুদ্ধি আৰু জ্ঞানৰ প্ৰতি সম্মান প্ৰদৰ্শন কবি কওঁ, যে তুমি ভাং খালা। কথাতে কয়, "মত বাজ, ত'ত কাজ।" কোনাবটো এবি কোকাবটোলৈ হেপা নেমেলিবলৈকো বুঢ়ালোকে কৈ থৈছে। যেতিয়া তুমি বোকাত পবিবা, তেতিয়া বোকাতে সুবিধা কবি থাকিবৰ বন্দবস্ত কবি লবা, তোমাৰ হাতত থবিবলৈ কোনো নাযায়। শিৱসাগৰৰ কালুগাৱঁত বসতি কবি জাপানৰ টকিওৰ বজাৰত বিক্ৰি হোৱা আঙুৰৰ পাচিটোলৈ বেঙা মেলি চাই থাকিবৰ চেষ্টা কৰা বৃথা; তাতকৈ তোমাৰ আগতে পাচিটে পোহাৰীয়ে আমৰ পাচিটো থৈ বেচিবলৈ অনা আম কিনি খোৱা; কেন্তিয়াবা জাপানলৈ গৈ আঙুৰ, পিচ, যি পোৱা, পাবা যদি কিনিকুটি খাবা। হাতৰ চেঙেলিটো বা কাৰ্ডেটিলাটোৰ বেচ সাত হাত পানীৰ তলত থকা বোটোতকৈ বেছি। এতেকে ইহকালৰ চিন্তা এবি পৰকালৰ চিন্তাটোৰ জপিয়াই যাবৰ চেষ্টাটো সম্প্ৰতি স্থগিত বাখিবলৈ শ্ৰীযুত ববৰকৰা ডাঙৰীয়াই তেওঁৰ মুবে শপতাই তহঁতক হাক দিছে। ইহকালবো বিত পৰকাললৈ লৈ যাব নোৱাবি; পৰকালৰ বিতকো কোনোৱে লগত লৈ ওপজা দেখা নাযায়। সকলো প্ৰাণী আহোঁতেও নাঙঠা, যাওঁতেও নাঙঠা। এই হল তেওঁৰ কথাৰ সাৰ মৰ্ম্ম।

এইটো অৰ্থ, সেইটো অনৰ্থ, এনেকৈ চিৰ বি মৰিবলৈ বা সকাম কি? জীৱন-যাত্ৰাৰ কাৰ্য্য কবি চলিবলৈ যিটো

বস্তুৰেই সুবিধা কবি দিয়ে, সেইটোৰেই পকা অৰ্থ, আগৰ কালত দেহুৰেই আছিল বিত। তাৰ পিছত ধান, সবিহঁত, মৰা-পকৰ ছাল ইত্যাদি হল। আজি ছেছে টকা, আৰু চকাবৰ ঘৰৰ পৰা ছাব-মোহৰ মৰা নাম চৰী কৰা তুলাপাত। কাইলৈ হবগৈ কি, মই নাজানোঁ। এতেকে সেই কথা লৈ মুৰ ঘমাই নমবিবা। আজিৰ তোমাৰ মহাবলস্ত টকা চক্ৰটো কাইলৈ অস্ত গলেই সি পৰশুলৈ প্ৰেত-ন্যমিত উপজি তাৰ বেচ হবগৈ শিকিটো। তুলাপাত কেইডোপৰ অগ্নিৰ সংযোগত ববৰকৰাৰ চেলেউত দুই লগোৱা সুত যেন হৈ পবিব। তোমাৰ চোলোঞ মাহোতা টকক পণ্ডিতৰ পক্ষে টকা পুবনি সাধুৰ "Grapes are sour" অৰ্থাৎ আঙুৰবোৰ টেঙাৰ নিচিনা। তেওঁলোকে যিমান পাৰে চোলোঞ মাতি থাকক, তুমি তাৰে কাণ নকবি যিমান পাবা টকা ঘটি থাকা; বাটি থাকা, সিয়াই থাকা, পকাই থাকা; টকৰ তলৰ জাল চুমাবলৈ নিদিবা। অৱশ্যে তেনে কবিবলৈ গৈ চুবি, ডকাইটি, ঠগ, প্ৰবঞ্চনা, কবিবলৈ মই কোৱা নাই; কাৰণ তেনেকুৱা কবি টকা ঘটিলে বা ঘটিবলৈ গলে, তুমি সেই টকা ভোগ কবিবলৈ নোপোৱা, পালেও তাৰ লগত চৰ, কিং, চকা, দুকু আৰু গোৰ পাবা; তাৰ পিছত বন্দীশালা বা ফাঁচি। এতেকে সেইটো সুবিধাৰ বাট নহয় জানি পবিহাৰ কবিবা। বুদ্ধিমক অনেকে বুদি ঘটাই তেনে বাটেদি চলি টকাৰ মোনাত হাত দিয়ে সঁচা। যেনে, নানা নাম দি ফাঁকি কোম্পানি পাতি, জুৱা খেলি, বেঙ্ক খুলি, বাজহুতা কামলৈ বুলি পঁচাৰ বহি উলিয়াই, মঠ মন্দিৰ আশ্ৰম ইত্যাদিৰ নাম কবি,—অৰ্থাৎ লোকৰ চকুত ধুলি মাবি ভণ্ডভাৱে, যাতে সেইজনৰ ফাঁকটি আৰু চকুবালি লোকে ধবিব নোৱাবে। কিন্তু সি সতকাই ধবা নপবিলেও যে ঠগ, জুৱাচোৰ আৰু চোৰ,তাত সন্দেহ নাই। সি সি মুখাকে পিন্ধক, তাৰ বিচাৰ এঠাইত নহয় এঠাইত হবই। তুমি সেইবোৰৰ ফালে ঢাল নলৈ, তোমাৰ মটৰ গাৰীত উঠি ভো-ভো কৰে গৈ থাকা; অৱশ্যে উঠাৰ আগতে চাই লা ইঞ্জিনত তেল আছেনে নাই; নতুবা বাটৰ কামতে তোমাৰ ইঞ্জিন বন্ধ হৈ মটৰ-গাৰীখন মৰা গৰু পবাদি পবি থাকিব। মুঠতে জানি থবা যে ধন নথকা মানুহ লোকৰ মানত চোৰৰ-পো। ধন ঘটা! ধন ঘটা! কিন্তু লোকক দুখ দি নহয়। তোমাৰ প্ৰকৃত জীৱন যাত্ৰাৰ নিমিত্তে যিমানখিনি ধনৰ দৰকাৰ, তাৰ বেছি তোমাৰ হাতত গোটখালে, তাবে দুখীয়াৰ দুখ ওচাবলৈ যত্ন কবিবা; পৰৰ উপকাৰত তাক লগাবা। জানি থবা, তোমাৰ ধনৰ তুমি trustee অৰ্থাৎ "জিয়াদাৰ" হে। ববৰকৰাৰ অৰ্থনীতি শাস্ত্ৰৰ এয়ে গাতাং উপদেশ।

৫২৮২/অ



নিৰুদ্দেশ

গল্প]

—শ্ৰীযুত কৃষ্ণ ভূঞা

শান্তিয়ে কিজানি মোকো তাইৰ শীতল হাতৰ এটি পৰশ দিবলৈ পাহৰি গৈছিল। অশান্তিৰ কঠুৱা হাতৰ টেটুত চেপা খাই নমৰি জীয়াই আছিলোঁ।

এসময়ত সুন্দৰ বুলিয়েই ভাবিছিলোঁ, এতিয়াহে বুজিছোঁ দুনিয়াখনৰ জটিলতাটো কেনেকুৱা। হওঁতে সেই প্ৰথম দিনা যেতিয়া কেৰাণীৰ বেশে ওলালোঁ, অফিছলৈ যাবলৈ তেতিয়া সঁচাকৈয়ে মোৰ ভাগ্যৰ চলনটো দেখি বেজাৰ লাগিছিল।—ক'ত মোৰ সেই কিবা কিবি আশা—আৰু ক'ত এই বাস্তৱৰ দীন কেৰাণীটো! ঈশ্বৰে কিন্তু ধনতকৈ মনটো ডাঙৰ কৰিছিল, সেয়েহে জীৱনত আঘাতো পাইছিলোঁ বহুত।

সেইদিনা অফিছ বন্ধ, ঘৰতে কাগজ এখন পঢ়ি আছোঁ। বাহিৰত কোনোবা মানুহৰ মাত শুনি ওলাই গৈ চাওঁ, ডেকা লৰা এটা—উনৈশ বিশ বছৰমান বয়সীয়া। তাৰ মুখত এটা অভাৱ অনাটনৰ কলা চিন, কিবা এটা হেৰুৱাৰ ব্যাকুলতা। শুকান তাৰ ওঠ দুটি—যেন নিৰস তাৰ জীৱনটো, শুকাই আহিছে বুকুৰ ভিতৰৰ পৰা। দীনতা হীনতাৰ পৰিচায়ক মলিন তাৰ অৱস্থাটো দেখিয়েই বুজিলোঁ, সি আহিছে তাৰ জীৱনটো আনৰ ইচ্ছাত বিশ্বত বিলাই দিবলৈ।

সি যেতিয়া কলে মোৰ ঘৰত চাকৰ থাকিবলৈ আহিছে বুলি তেতিয়া নিজৰে দীনতাৰ ওপৰত অৱজ্ঞাৰ হাঁহি উঠিল। একুৰি পাঁচ টকা ৰূপৰ কাৰণে যি দিনৰ দিনটো কলম পিহি জীৱনীশক্তি তিল তিলকৈ ধ্বংস কৰিছে, যি বুঢ়া মাক-বাপেক আৰু মাকৰে সৈতে এবাঁহ লৰা-ছোৱালীৰ জীৱিকাৰ কাৰণে সুদূৰ প্ৰবাসত অকলশৰে পৰি আছে; সি আকৌ চাৰি পাঁচ টকা ৰূপ খৰচ কৰি এটা চাকৰ ৰখাটো কল্পনাকে কৰিব পাৰে জানো?.....মোৰ নিচিনা মানুহটোৰো চাকৰ হবলৈ অহা মানুহজন কিমান হতভাগ্য দেহি!

শক্তি সামৰ্থ্য নাই বুলি কবলৈও তাৰ আগত বেয়া লাগিল। মোৰ মানুহৰ আৱশ্যক নাই বুলি কৈ তাক অন্য ঠাইলৈ যাবলৈ কলোঁ। কব নোৱাৰো, ঢোকা দিয়া পঁজা ঘৰটো দেখি সি জানিলেই নেকি মোৰ অৱস্থাটো—মিনতি কৰি কলে "মোক পইছা-কড়ি একো নালাগে দেউতা! এমুঠি খাবলৈ দিলেই হব।" তাৰপৰা পাবলৈ আশা কৰিব পৰা সহায়খিনিৰ কাৰণে এমুঠি ভাত-অতি সামান্য, তাকো দিবলৈ টান পালোঁহেতেন কিজানি ঈশ্বৰে যদি হিয়াখন নিৰ্ম্মম কৰি দিলেহেঁতেন। তাক থাকিবলৈ কলোঁ।

তিনি চাৰিদিন ভালেই গৈছে, মোৰ অকলশৰীয়া মানুহটোৰ সামান্য কামখিনি সি ভালদৰেই কৰি দিছিল। নিজে ঠেকা খুন্দা খাই হোৱা মানুহ, সেইকাৰণেই আনকো কষ্ট দিবলৈ ভাল নাপাওঁ—তাক বৰ মৰমকে কৰিছিলোঁ। তথাপি তাৰ চলন ফুৰণবোৰ দেখি আচৰিত হৈছিলোঁ। কব নোৱাৰোঁ কিয়—সি যেন সদায় ভীত সদায় সচকিত। মোলৈকে ভয় কৰে সি, অলপ টানকৈ মাতিলেই উধাতু খাই লৰি আহে। কিবা এটা শঙ্কা যেন সদায় তাৰ লাগিয়েই আছে। মই যেন তাক হুকুম দিয়া আৰু সেই হুকুম মতে কাম বিচৰা হৃদয়হীন কলৰ মানুহ এটা তাৰ কাৰণে।

মোক সি বোধকৰোঁ তেতিয়ালৈকে চিনা নাছিল। এদিন আবেলি কামৰপৰা আহি শুনিলোঁ সি আপোন মনে গান গাইছে। গানটো মনত নাই, কিবা বৰ কৰুণ ভাৱৰ গানটো। এটা কথা কেৱল মনত আছে—"হাহাকাৰে মাথো জীৱন ভৰা।" তাৰ জীৱনটোৰ কথা

আৱাহন



মিৰি নাচ

(ৰূপালী জুবিলী উপলক্ষে)

[জাহ্নৱী অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা]

[শ্ৰীযুত কুমুদচন্দ্ৰ ভূঞাৰ সৌজন্যত]

আৱাহন



জিৰণি

জুয়েল অফ্ ইণ্ডিয়া প্ৰেচ্, কলিকতা

কৰ নোৱাৰো, মোৰ হলে জীৱনৰ পিয়লাটো মুখলৈকে চপচপীয়া হৈ হাহাকাৰেৰেই ভৰা,—সেয়েহে এইখিনি মনত ৰল হব পায়। সুন্দৰ তাৰ গলাটো, শেষ নোহোৱালৈ বহি বহি গানটোকে শুনিলোঁ। সি গান গাব জানে দেখি ভাল লাগিল। গোৱা শেষ কৰি সি বাহিৰলৈ ওলাই আহি মোক দেখি কলা পৰি গল। সি কঁপিছিল, যেন ঘোৰ অন্যায় কাম এটা কৰি ধৰা পৰিল। তাক সুধিলো কি হৈছে। সি থোকাথুকিকৈ কলে "আপোনাৰ চাহ দিয়াত পলম হল, মই—মই—।"

মোৰ চাহ খাবৰ মনেই যোৱা নাই অ'। তই দেখোন বৰ সুন্দৰ গান গাৱ, মাজে সময়ে দুই এটা গানকে শুনাবিছোন।" সি অবাক হোৱা মানুহটোৰ দৰে চকুলৈ চাই ভিতৰ সোমাই গল। কিছুপৰৰ পিছত মই গৈ দেখিলো সি চাহৰ তলত জ্বাল দিছে আৰু কান্দিছে। সি কন্দাৰ কাৰণটো নুবুজিলোঁ। কিয় কান্দিছে সুধিলোঁ। সি কলে তাৰ হেনো মাক-বাপেকলৈ মনত পৰিছে, আজি তিনি বছৰ হল মাক বাপেক হেনো মৰিল। সেইদিনাহে জানিলো বেচেৰা মৰিলে "আঃ" বুলিবলৈও দুনিয়াত কোনোৱেই নাই কিজানি।

সেই দিনা গধূলি আহি ঘৰ সোমাই দেখোঁ তেতিয়াও লেম-চাকি একো জ্বলোৱা নাই, ঘৰত কোনো নথকা যেন লাগিল। মনিৰাম, মনিৰাম বুলি কেইবাবাৰো মাতি উত্তৰ নাপালোঁ, ভাবিলোঁ সি পলাই গল। ভিতৰ সোমাই দেখোঁ ৰান্ধনি ঘৰৰ চুক এটাত সি আমন-জিমনকৈ বহি আছে। ডাবি দি তাক সুধিলোঁ "কি হৈছে তোৰ? লেম-চাকি নজ্বলাই এনেকৈ চামোনটোৰ দৰে বহি আছ কিয়?"

সি কলে "লেমৰ চিমনিটো ভাগিল।" ওলাওঁ-নোলাওঁকৈ ওলোৱা অস্পষ্ট তাৰ মাতটো। ভয়ত যেন জীৱটো টুকুৰা টুকুৰ হৈ ওলাই আহিছে তাৰ প্ৰত্যেক কথাটোৰ লগত। গধূলিৰ আন্ধাৰত মুখখন ভালকৈ দেখা নাছিলোঁ যদিও শেতা তাৰ মুখখনৰ চেহেৰাটো বেছ অনুভৱ কৰিছিলোঁ। খঙো উঠিল, বেয়াও লাগিল। কোমল মাতেৰে কলোঁ "ভাগিল, ভাগিল—তই মোক তাকে নকৈ এনেকুৱাখন কৰিছ কিয়? তই কিয় ইমান ভয় কৰ মোলৈ, মই কিবা তোক কাটি মাৰি উটাই দিমনে?"

ৰাতি ভাত বাঢ়ি দি মোৰ ওচৰতে সি থিয় হৈ মোৰ মুখলৈ থৰ হৈ চাই আছিল। এবাৰ তাৰ ফালে চাই তাক চকুপানী টোকা দেখি মইতো অবাক! ভাবিলো ভাল অকৰাটো পালো। তাচ্ছিল্যভাৱে সুধিলোঁ "পিছে আজি কিহৰ বেজাৰ?"

সি চকুদুটা মুছি কলে "বেজাৰ লগা নাই দেউতা। আজি বাৰু মই লেমটো ভঙাৰ বাবে' মোক নামাৰিলে কিয় দেউতা?" মই কলো "ধেৎ ভূত, তই কিবা ভাঙো বুলি ভাঙিছনে, ভাগিল, ভাগিল সামান্য বস্তু এটা।" সি তাৰ ভৰিৰ দাগ এটা মোক দেখুৱাই কলে "দেউতা, মই আগেয়ে থকা মানুহ ঘৰৰ গিৰিহঁতজনে এদিন মই লেম এটা ভঙাৰ বাবে ইমানকৈ মাৰিলে, এইয়া ভৰি কাটি চিন বৈ গল। আৰু মাজে সময়ে ইমান মাৰে—খুব মাৰে, গালি পাৰে, খাবলৈ নিদিয়ে দুই তিন দিন। আকৌ গান গালেও মাৰে। আপুনি দেখোন হানি কৰিলেও নামাৰে, গানো গাবলৈ কয়।"

মোৰপৰা কি উত্তৰ আশা কৰিছিল কব নোৱাৰো, কিন্তু বুজিছিলো যে সি মোৰ ব্যৱহাৰটো অস্বাভাৱিক যেন পাইছিল। "বাৰু মৰিয়ালে যদি ভাল পাৱ আজিৰপৰা তাকে কৰা যাব" মই কলো।

সি তাৰ সজল চকুদুটাৰে মোৰ ফালে কিবা এটা নুবুজাৰ দৰে চাই কলে "কেলেই দেউতা, আমাৰ নিচিনা মানুহবোৰক নামাৰিলে হয় জানো? কিন্তু আপুনি মোক মাৰিলে মোৰ হলে বেজাৰ নালাগে। আই বোপাই মৰাৰ পিছৰপৰা যি মানুহঘৰত আছিলো তেওঁলোক চহকী মানুহ। দৰমহা লোৱা নাই এনেয়ে খাটিছিলো। তেও দেখোন এদিনো ভালেৰে নাযায়, সদায় গালি-শপনি, মাৰ-কিল কৰি থাকে। অতদিন কোৱা নাই আজিহে কওঁ দেউতা। মই তাৰপৰা পলাই আহিছোঁ। এদিন কাম-বন নাছিল দেখি গুণ-গুণকৈ গান এটা গাইছিলো, সেইবাবেই বৰকৈ মাৰিলে, কেবা দিনো উঠিবই নোৱাৰিছিলোঁ—সহিব নোৱাৰা হৈ পলাই আহিলোঁ দেউতা।"

বেচেৰালৈ দুখ লাগিল। তেতিয়াহে বুজিলোঁ তাৰ সদায় সচকিত, ভীত চলন-ফুৰণ কিয়—সেইদিনা গান গাবলৈ কওঁতে সি কান্দিলে কিয়। যাৰ ইচ্ছাৰ জৰী ডালত মেৰপাক খাই লাটুম গুটিটোৰ দৰে ঘূৰি ফুৰিব লাগে, যি তাৰ জীৱনৰ সুখ-দুখৰ বেছি ভাগ নিয়ন্ত্ৰণ কৰে, আৰু যি মন কৰিলেই তাক সকলো ৰকম অত্যাচাৰ কৰিব পাৰে, তেনেকুৱা এটা গিৰিহঁতৰে সৈতে তাৰ নিচিনা চাকৰ এটাৰ যে কিবা এটা কোমল সম্বন্ধ থাকিব পাৰে সেইটো সি ভাবিবই নোৱাৰিছিল। মাৰ-কিল খোৱাটো চাকৰ মানুহৰ এটা নিয়ম—অলপ ভুল বা দোষৰ বাবে নিৰ্ম্মম শাস্তি পোৱাটো এটা নিয়ম বুলি ভাবিছিল চাগৈ সি। বহুত দিন কিজানি কাৰো মৰম পোৱা নাছিল। সি চাকৰ মানুহ, তাক আকৌ মৰম কৰেনে কোনোবাই! মৰমটো কেনেকুৱা বস্তু সি কিজানি বুজাই নাছিল। সেইদেখিহে মই তাৰ ওপৰত দয়া মমতা প্ৰকাশ কৰিলে সি আচৰিত হৈছিল।.....পিছত হে জানিছিলো বেচেৰাই কব নোৱাৰাকৈয়ে তাৰ অন্তৰখন মই তেনেই অধিকাৰ কৰি পেলাইছিলোঁ লাহে লাহে।

.....পিয়নটো অহা দেখিয়েই বুকুখন ধপ্‌ধপাই উঠিল—জানোচা ঘৰৰপৰা কিবা বেয়া খবৰ আহিছে। ঘৰৰপৰা পোৱা দুই এখন চিঠিৰ বাহিৰে অন্যৰ লগত বিশেষ কাৰবাৰ নাছিল। ঘৰৰো চিঠিবোৰ—হয় টকা খুজি লিখিব, নাই কাৰোবাৰ অসুখৰ বাতৰি—ভাল কিবা এটাৰ আশা খুব কমেইহে কৰিছিলো। পিয়নটোৱে চিঠিখন দিওঁতেই মনটো গধুৰ লাগিছিল। পঢ়ি চাই যতে আছিলো বহি পৰিলো। জীৱনৰ প্ৰতিকূল অৱস্থাবোৰৰ বিপক্ষে থিয় হবলৈ আৰু শক্তি নাছিল। মেলেৰিয়া জ্বৰে খোৱা বেমাৰীয়ে কুইনাইন খোৱাৰ দৰে, সংসাৰৰ জ্বৰে খোৱা মই, জীৱনৰ তিতাবোৰ চকু মুদি সহি থকা অভ্যাস হৈছিল। সকলোতে আহি পৰিছিল এটা বিৰাট উদাসীনতা।

চিঠিখনত লিখিছিল লৰা-ছোৱালী আটাই কেইটাৰ ভয়ানক জ্বৰ, সকটো লৰাৰ বাহিৰলৈ উলিৱা অৱস্থা—ঘৰলৈ যাব লাগে।

কেতিয়াবা ঈশ্বৰৰ ওপৰতে বৰ শ্ৰদ্ধা নাইকিয়া হৈ পৰে। করুণাময় ভগৱানৰ ওপৰত সন্দেহ হয়। কিন্তু যেতিয়া চাৰিওফালৰপৰা সকলোৱে এৰি থৈ যায়—কতো ধৰিবলৈ নাপাই কণাৰ দৰে ঘূৰ্ম্মুটিয়াই ফুৰো, তেতিয়া আকৌ তেওঁকে খামোচ মাৰি ধৰোঁ—উপায়হীন মই তেওঁৰ ওপৰতে নিৰ্ভৰ কৰি বহি থাকোঁ।

ঘৰলৈ যাবলৈ ছুটী ললো। মস্কিল হল তাক লৈ। তাক থৈ যামনে লৈ যাম—বিমোৰত পৰিলো। যাবৰ দিনা তাক কলো "মণিৰাম! মই ঘৰলৈ যাবলৈ ওলালো। তাই যাব নালাগে, মই অন্য মানুহ এঘৰত তোক থৈ যাওঁ, পিছে আহিবি আকৌ।" তাৰ মনটো মৰি গল কিজানি—সি কলে "দেউতা! থাকিবলৈ ঢেৰ মানুহ আছে। এনেয়ে খাটিলে আটায়ে ৰাখিব। কিজানি অন্যত থাকিলে আকৌ সেই আগৰ মানুহঘৰ পাবগৈ লাগে! যলৈকে হক যাম, আপুনি নিনিয়ে যদি। মাৰ-কিললৈ বৰ ভয় নাই, মোৰতো ডিঙিটো চেপা খাই খাই টান হৈ গৈছে—মাৰ খাই খাই পিঠিৰো কিজানি তেজ মৰিল। এতিয়া আৰু মৰিয়াই থাকিলেও দুখ নাপাওঁ। কিন্তু দেউতা আপোনাৰ ওচৰতে যদি মৰিবলৈ পালোহেঁতেন।"

দুনাই এষাৰ আৰু কব নোৱাৰিলো। তাক থৈ যাবলৈ ওলোৱাৰ বাবে অনুতাপহে হ'ল। কিন্তু পাৰোতে জানো...ৰেলৰ খৰচ, খোৱা খৰচ, এটা মানুহৰ... কোনে বুজিব—মোৰ নিচিনা কেৰাণী এটাৰ অৱস্থা।

ঘৰলৈ আহিলো। আটাইবোৰৰ জ্বৰ বেমাৰ, ঘৰখন যেনিবা অশান্তিৰ অন্ধকূপ। হতভাগ্য আমাৰ নিচিনাবোৰ জী থকাই এটা ভীষণ শাস্তি। ধাৰ-ধুপাৰ কৰি ডাক্তৰ কবিৰাজ লগাই যিমান পাৰো কৰিবলৈ ধৰিলো। বেচেৰা মণিৰামটো—কিমান সহায় কৰিলে মোক। সিও দুদিনতে ঘৰখনৰ সকলো অৱস্থা জানি পেলালে। সি বুজিলে মোৰ নিচিনা দুৰ্কপলীয়া মানুহ সংসাৰত কমহে আছে। ৰাতিপুৱাৰপৰা গধূলিলৈকে তাৰ আজৰি নাই, ঘৰখনৰ আটাইবোৰ কাম সি মূৰ পাতি ললে।.....কিয়? স্নেহৰ প্ৰতিদান—মৰম কৰিছিলোঁ বুলি।

এদিন তাৰ ফটা চোলাটো পিন্ধি কৰবালৈ যাবলৈ ওলালতহে মনত পৰিল তাক আহিবৰপৰা কাপোৰ এডোখৰো দিয়া নাই। চোলা এটা আনিবলৈ তাক পইছা দিব খুজিলোঁ, সি কলে "নালাগে দেউতা—মোৰ এইটো চোলা এতিয়াও পিন্ধিব পৰা হৈ আছে। লাগিলে পিছে আনি লম।" দেহি ঐ তাৰ দৰদটো মোৰ কাৰণে! সি বুজিছিল বাৰ অনা পইছা মোৰ বুকুৰ বাৰ টোপা তেজ। চাকৰ এটাৰ আগত নিজক ইমান হীন কৰিবৰ মন নগল। ধমক দি কলো "হোঁ ল পইছা, চোলা নাই মই কিবা নাই দেখানে—মই তোক কাপোৰ এডোখৰো পিন্ধাব পৰা মানুহ নহওঁ বুলি ভাবিছনে?" সি পইছা কেইটা লৈ ওলাই গল, পিছত আৱশ্যকীয় তেল নিমখেৰে বজাৰ কৰি ঘৰ সোমালহি।

সৰু লৰাটোৰ বেমাৰ ভাল হওক ছাৰি বেছিহে হবলৈ ধৰিলে। যেতিয়া ধাৰ গৈ এশৰ ওচৰ পালেগৈ, ডাক্তৰ কবিৰাজ অহা বন্ধ কৰি লৰাটো ভগৱানৰ হাতত সপি দি বহি থাকিলো।

এদিন খবৰৰ কাগজখনৰ এঠাইত দেখিলো এখন নিৰুদ্দেশৰ জাননী। পঢ়াৰ লগে লগে বৰ কৌতূহল হল। বয়স বিশ একৈশ, বৰণ ক'লা, নাম মণিৰাম ইত্যাদি। অ' মণিৰামেইটো হয়—মিলি গৈছে। শেষৰ শাৰী পঢ়ি বুকুখন চিৰিংকৈ উঠিল—খবৰ দিব পাৰিলে দুশ টকা পুৰস্কাৰ। কি দুশ টকা—বাঃ মণিৰামেইতো হয় তাক যদি গিৰিহঁতক গতাই দিওঁ—মোৰ কপাল—। বেছিকৈ ৰং লাগিছিল—পাহৰি গৈছিলো কাক আকৌ তাক গতাই দিব খুজিছোঁ। যাৰ অত্যাচাৰ সহিব নোৱাৰি পলাই আহিল সি, সেই নিষ্ঠুৰ পিশাচৰ নিচিনা মানুহটোৱেই নহয় জানো এই জাননী দিয়া দয়াৰাম বোলা মানুহটো—মাউৰা লৰা দেহি, কিনা গোলামৰ দৰে পাম বুলিয়েই আকৌ বিচাৰিছে টকা খৰচ কৰি। তাৰ ওচৰলৈকে তাক আকৌ খেদাই দিমনে—সি মোৰ ভৰিত ধৰি চুচৰি উঠিছিল চকুপানীৰ গাঁতটোৰ পৰা, ময়ে আকৌ তাক গুৰিয়াই পেলাই দিমনে? মানুহৰ অত্যাচাৰৰ আঘাত পাই ক'লা হোৱা তাৰ জীৱনটো—।

আকৌ পঢ়িলো জাননীখন—"খবৰ দিব পাৰিলে ২০০৲ পুৰস্কাৰ" আও দুশ টকা—চক্‌চক্ কৰে বগা দুশ টকা—দাৰিদ্ৰ্যই চিঞৰি কলে দুশ—দুশ—দুশ। হওঁতে হয় মোৰনো কি হয় সি—যি হল লাগিলে তাৰ.....।

ছিঃ, পগলা—হিয়াহীন—পশু—পাহৰিলিনে মণিৰামৰ চকুপানীৰ সোঁত তোৰ বুকু ছুই বৈ গৈছিল। কান্দে সি মৰম কৰিলে—সংসাৰত আপোন বুলিবলৈ কোনো নাইকিয়া অভাগা মণিৰামটো, সি কিমান কষ্ট পাব। সামান্য কেইটামান টকাৰ কাৰণে এটা জীৱন। কলৈ যাব দুশ টকা নিমিষতে—।

উঃ নোৱাৰো—! কিন্তু ধাৰখিনি আৰু লৰাটোৰ বেমাৰৰ চিকিৎসা।...এটা মানুহক হত্যা কৰি ধাৰ মৰা—ঈশ্বৰে ভাল কৰিলে লৰা এনেয়ে ভাল হব দেখোন। ইস্ কিমান ভাবিলো—নিজে নিজে কিমান ভাঙিলো—পাতিলো। শ্ৰীদয়াৰাম বৰুৱাই জাননী দিছে—নিৰ্দ্দয় হিয়াহীন পিশাচৰ দৰে, তাৰ নাম আকৌ দয়াৰাম। কাগজখন দলি মাৰি পেলাই দিলো।

সি ঠাই সাৰোতে কাগজখন তুলি লোৱা চাই আছিলো। "দেউতা এইখন খবৰৰ কাগজ।" সি পঢ়িব জানে বুলি ভবাই নাছিলোঁ। হঠাতে কৈ পেলালো "সেই 'নিৰুদ্দেশ' বুলি যি লিখা আছে পাঢ়ি চাচোন"। সঁচাকৈয়ে সি কাগজখন তুলি লৈ পঢ়িবলৈ ললে। তেতিয়া হে জানিলো, সি পঢ়িব জানে বুলি। কথাষাৰ তাক জনাবৰ ইচ্ছা নাছিল। 'দে দে' বুলি কাগজখন খুজিলো। সি পঢ়াৰপৰা মূৰ নোতোলাকৈয়ে অলপ আতৰি গল। পঢ়াৰ লগে লগে তাৰ সলনি হোৱা মুখৰ ৰূপটো বেছ ধৰিব পাৰিলো। লাহে লাহে পাহৰি যোৱা সেই ভয়ৰ চাৱনিটো আকৌ তাৰ চকুত প্ৰখৰভাৱে জ্বলি উঠিল। কিন্তু পঢ়ি শেষ কৰি সি হাঁহি পেলালে। উৎসাহেৰে মোক কলে "দেউতা ময়ে দেখোন সেইটো লৰা—হয়, দয়াৰাম বোলা মানুহজনৰ ঘৰতে মই আগেয়ে আছিলো। বৰ চহকী মানুহ। আপুনি ইয়াতে থকাৰ খবৰটো দি দিয়ক—দুশ টকা পাব। সঁচাকৈয়ে টকা দিব নহয়নে, দেউতা?" মই কলো "ওঁ লিখিছে যেতিয়া বাধ্য হৈ

দিব," সি আগত কৈও উৎসাহেৰে কলে" আও দুশ টকা —দহকুৰি,—এটকা নহয়, দুটকা নহয়—দহকুৰি ! দেউতা, মই ইয়াতে আছোঁ বুলি আজিয়েই আপুনি লিখি দিয়ক।"

মই কিছুপৰ টলকা মাৰি পিছত কলো "বাৰু লিখি দিওঁয়েই যেনিবা তোক সেই দয়াৰাম বৰুৱাই আকৌ লৈ যাব নহয়। এই বাৰ তোৰ হাৰ গুৰি কৰিব।" সি কলে "এ নহয়, নামাৰে আৰু, আকৌ পলাই যাওঁ বুলি নামাৰে নহয়, আপুনি লিখি দিয়ক"। মোৰ বেছি কথা কবৰ মন যোৱা নাছিল যদিও কলো "লিখো নিলিখো মোৰ ইচ্ছা, তই তোৰ কামলৈ যা"। সি মোৰ ভৰি দুখনত সাৱটি ধৰি সানুনয়ে কলে "নহয় খবৰটো দিয়ক দেউতা মোৰ আৰু ইয়াত থাকিবৰ মন নাই।"

ভালকৈ বুজিছিলো কিয় সি যাবলৈ ওলাইছে। সি চাগৈ ভাবিছিল তাৰ জীৱনটোতকৈও দুশ ৰূপ মোৰ কাৰণে বেছি মূল্যৰ। তাক অভয় দিবৰ কাৰণে দৃঢ়স্বৰে কলো "মোৰ মন নাই মই নিলিখো। তই যা এতিয়া।"

পিছদিনা মোৰ ডাঙৰ লৰাটোৰ মুখে শুনিলো বোলে মণিৰামে হেনো তাক জাননীখন দেখুৱাই মই লিখিবলৈ কৈছো বুলি কৈ চিঠি এখন দয়াৰামলৈ মোৰ নামে দিয়ালে। মোৰ অজ্ঞাতসাৰে সি কামটো কৰালে। মনত বৰ কষ্ট পালো। লৰাটোক মোক নোসোধাকৈ তেনে কাম কৰাৰ বাবে খুব গালি পাৰিলো। খবৰ দিলে যেতিয়া তাক যে আৰু ধৰি ৰাখিব নোৱাৰো সেইটো ভালকৈ জানিলো—সি নিজে আঁতৰি যাবলৈ ওলাল মোৰ সামান্য এটা উপকাৰৰ কাৰণে সি ৰং মনে জীৱনভৰা অত্যাচাৰ, যন্ত্ৰণা মাতি আনিলে। চাকৰ মানুহ এটা সি, তাৰো আকৌ অন্তৰখন ইমান ওখ !

কেইদিনমানৰ পিছত ৰূপ দুশ লৈ দয়াৰাম নিজে ওলালহি। তাৰ চেহেৰাটো দেখিয়েই মোৰ ঘৰৰপৰা ডিঙিত ধৰি উলিয়াই দিবৰ মন গৈছিল। আলহী বুলি নোৱাৰিলো—আৰু নোৱাৰিলো মণিৰামৰ মুখলৈ চাই। মণিৰামে সাজি-কাছি হাঁহিমুখে যাবলৈ ওলাল। মোক ভিতৰলৈ মাতি নি সি টপ কৰে সেৱা এটা কৰি কলে "দেউতা টকা পালে যেতিয়া সৰুবোপাৰ বেমাৰ চোৱাব আৰু ধাৰখিনি মাৰিব।" তাক বুকুৰ মাজত সাৱটি ধৰি কব খুজিছিলো—মণিৰাম তই নালাগে যাব...চাওঁতে চাওঁতে সি দয়াৰামৰ লগত ওলাই গল। মানুহ মই, নিৰাশ্ৰয় নিঃকিন বুলি অকণমান মৰম কৰিছিলো তাক, সি যে তাৰ পৰিৱৰ্ত্তে তাৰ লাখটকীয়া জীৱনটো দিবলৈ ওলাইছে সেইটো জানো জানিছিলো। পদূলিমুখ পালেগৈ সি, অতপৰ বলেৰে বান্ধি ৰখা চকুৰ পানীখিনি আৰু ৰাখিব নোৱাৰিলে, কান্দি পেলালে সি। আৰু সেই দয়াৰামটো, দুশ টকা হানি কৰাৰ প্ৰতিশোধ লবলৈ তাৰ বুকুখন পুৰি আছিল কিজানি। বাঘৰ দৰে জলি থকা চকু দুটাৰে কেনেকৈ চাইছিল সি মণিৰামৰ ফালে...। কিছুদূৰ পাই ঘূৰি চোৱা সজল তাৰ শেষ দৃষ্টিটো ! ঘূৰাই আনিবলৈ শক্তি নাছিল—সি যে নিজে গল। চাওঁতে চাওঁতে চকুৰ পানীয়ে মোকো নেদেখা কৰিলে—ময়ো কান্দিলো।

দুশ টকাই দুশ কদোৰ কামোৰৰ দৰে অস্থিৰ কৰি পেলালে। প্ৰত্যেকটো টকা যেন এটোপা তেজ মণিৰামৰ। তেওঁযে তাৰ তেজেৰেই আহুতি দিলো মোৰ কামনাৰ যজ্ঞত।

এদিন তাক বিচাৰি গৈছিলো, বলিয়াৰ দৰে বিচাৰি গৈছিলো তাক কিবা এটা কৰিবলৈ। কিন্তু আত্মহত্যা কৰিলে বোলে সি—পানীত পৰি মৰিল। মানুহৰ অত্যাচাৰ অসহ্য হ'ল তাৰ—মানুহ সি কিমান সহিব !

নহয় সি আত্মহত্যা কৰিলেনে—মই হত্যা কৰিলো। মোৰ ওচৰত সি লুকাবলৈ আহিছিল—মই নোৱাৰিলো তাক লুকাই ৰাখিব। সেই বেজাৰতে সি চিৰকালৰ কাৰণে নিৰুদ্দেশ হৈ গল—একেবাৰেই জগত এৰি ভগৱানৰ ওচৰ পালেগৈ নহয়নে—। ডাঙৰ ডাঙৰ অভিশাপবোৰে—বুকুভগা হাহাকাৰবোৰে মোৰ জীৱনটো এতিয়াও শেষ কৰি দিয়া নাই—তই ক্ষমা কৰিছ নেকি মোক মণিৰাম ?.....

আজি কান্দিব পৰা নাই। অন্তৰত জলি উঠা জুই কুৰাই কিজানি মোৰ চকুৰ পানীবোৰ তেনেই শুকাই পেলালে। শেষৰ দিনটো অহালৈকে পুৰি থাকিব—তুহ জুইৰ দৰে জলি পুৰি থাকিব——মই কন্দা নাই মণিৰাম—কিজানি জুই কুৰা নুমাই যায়—।

ডক্তৰ কাকতিদেৱৰ 'থিছিছ্'

[চমু পৰিচয়]

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

অসমীয়াতে এষাৰ কথা আছে ;—"যি মূলা বাঢ়িব তাৰ দুপাততে চিন।" আজি কলিকতা য়ুনিভাৰ্ছিটিৰপৰা প্ৰথম পি, এইচ, ডি উপাধি লভা অসমীয়া পণ্ডিত কটন কলেজৰ সুযোগ্য অধ্যাপক ডক্তৰ বাণীকান্ত কাকতিও এজন ছাত্ৰাৱস্থাৰেপৰা অসাধাৰণ প্ৰতিভাসম্পন্ন লোক। ইংৰাজী ১৯১৩ চনতে বিশ্ববিদ্যালয়ত প্ৰথম হৈ আই, এ পাছ কৰাৰপৰা ইংৰাজী সাহিত্যত প্ৰথম শ্ৰেণীৰ এম, এ হোৱালৈকে তেখেতৰ গোটেই কলেজীয়া জীৱনটো অক্লান্ত অধ্যৱসায়েৰে পৰিপূৰ্ণ। কটন কলেজত দ্বিতীয়জন অসমীয়া অধ্যাপক স্বৰূপে যোগ দিয়াৰ দিন ধৰি তেখেতে অসমীয়া সাহিত্য ক্ষেত্ৰত উচ্চাঙ্গৰ গৱেষণা আৰু মৌলিকতাৰ পৰিচয় দি আহিছে। মৌলিক প্ৰবন্ধ আৰু সুদক্ষ সমালোচনাৰে অসমীয়া সাহিত্যক চহকী কৰাৰ উপৰিও মাদ্ৰাজৰ 'নেটিছন কোম্পানি'য়ে প্ৰকাশ কৰা "Saints of India Series" অৰ্থাৎ "ভাৰতীয় মহাপুৰুষ" গ্ৰন্থাৱলীৰ বাবে অসমৰ শ্ৰীমন্ত শঙ্কৰৰ জীৱনী ইংৰাজীতে লিখি তেখেতে ইতিপূৰ্ব্বেই সদৌ ভাৰতীয় বিজ্ঞ সমাজত সুপৰিচিত হৈ আছে। গতিকে কাকতিদেৱৰ নিচিনা মেধাৱী বিদ্বান পুৰুষ এজনে যেনেকৈ "অসমীয়া ভাষাৰ গঠন আৰু ক্ৰমোন্নতি" সম্বন্ধে অনুসন্ধান আৰু আলোচনা কৰাটো যেনে সমীচীন হৈছে তেনেকৈ তেখেতৰ অসাধাৰণ বুদ্ধিমত্তাক উপযুক্ত উপাধিৰে ভূষিত কৰাটোও কলিকতা বিশ্ববিদ্যালয়ৰ পক্ষে অতি শোভনীয় কাৰ্য্য হৈছে।

কাকতিদেৱৰ 'থিছিছ' (Thesis) খনৰ বিষয় হৈছে "Assamese—its formation and development !" অৰ্থাৎ 'অসমীয়া ভাষা—ইয়াৰ গঠন আৰু ক্ৰমোন্নতি।' কলেজৰ অধ্যাপনা আৰু অধ্যয়নৰ ক্লান্তি আৰু অৱসাদ কাতি কৰি থৈ পূৰ্ণ সাত বছৰ অক্লান্ত পৰিশ্ৰমৰ ফল স্বৰূপে ঘন ঘনকৈ 'টাইপ' কৰা 'ফুলস্কেপ ছাইজ'ৰ প্ৰায় পাঁচশ পিঠিত তেখেতে 'থিছিছ' খনি প্ৰস্তুত কৰি উলিয়ায়। পৰীক্ষক আছিল তিনিজন। যথা—পেৰিছ্ য়ুনিভাৰ্ছিটিৰ ডক্তৰ জে, ব্লক ডি-লিট্ ; পাঞ্জাব য়ুনিভাৰ্ছিটিৰ ভাইছ চেন্সেলাৰ ডক্তৰ এ, ছি, উডনাৰ ডি-লিট আৰু কলিকতা বিশ্ববিদ্যালয়ৰ ডাক্তৰ সুনীতি চাটাৰ্জ্জী ডি-লিট। সুখৰ বিষয় যে তিনিজন পৰীক্ষকে কাকতিদেৱৰ সিদ্ধান্তবিলাকত সম্মতি প্ৰকাশ কৰি তেখেতক ডক্তৰেট উপাধিৰ বাবে যোগ্য বুলি ঘোষণা কৰিলে।

কোনো এক বিষয়ে 'থিছিছ' লিখিবলৈ হ'লে সেই বিষয়টোৰ সম্পৰ্কে এটা নতুন মত দাঙি ধৰিব লাগে আৰু সেই বিষয়ে প্ৰচলিত বা গৃহীত পুৰণি আৰু সমসাময়িক সকলো মতকে যুক্তি প্ৰমাণেৰে খণ্ডন কৰি দাঙি ধৰা মতটিক নিৰ্ব্বিবাদে সুপ্ৰতিষ্ঠিত কৰিব লাগে। ই নিতান্ত সহজ কথা নহয়। ডক্তৰ কাকতিদেৱৰ মত আছিল এয়েই যে অসমীয়া ভাষাটো বঙালী আদি অন্যান্য ভাষাৰ পৰা সুকীয়া আৰু বেলেগ এটা বিশিষ্ট ভাষা। তেখেতে অশেষ অনুসন্ধান কৰি ইয়াৰ বিৰুদ্ধে প্ৰচলিত সকলো মতকে সম্পূৰ্ণৰূপে খণ্ডন কৰি দিছে। অসমীয়া ভাষাটো যদিও সংস্কৃত ভাষাৰ লগত বহুত অংশে মিলে তথাপি ইয়াৰ মূল কেৱল সংস্কৃতীয়াই নহয়—পাৰিপাৰ্শ্বিক অনা আৰ্য্যসকলৰ ভাষাৰো প্ৰাধান্য যথেষ্টৰূপে আছে। কোনো কোনো বঙালী ভগ্ন-পণ্ডিতে অসমীয়া ভাষাক বঙালীৰে ৰূপান্তৰ বা অপভ্ৰংশ বুলি প্ৰমাণ কৰিবলৈ বুলি কৰা কু-

প্ৰয়াসবিলাকৰ মূৰত তেখেতে এই 'থিছিছ'ৰ দ্বাৰাই পাশুপাত অস্ত্ৰ প্ৰহাৰ কৰি অসমীয়া ভাষাৰ অক্ষয় কল্যান সাধিলে।

'থিছিছ'ৰ বিষয়টিক আলোচনাৰ সুচলৰ বাবে তেখেতে তিনটা বিষয়ত ভগাই লৈছে। যথা—উচ্চাৰণ, আখৰ-যোঁটনি আৰু শব্দ-গঠন। যাই 'থিছিছ' খনৰ আগতে তেখেতৰ প্ৰতিপাদ্য বিষয়টিৰ সপক্ষে দাঙি ধৰা যুক্তি বিলাকৰ পূৰ্ব্বাভাষ স্বৰূপে উক্ত 'থিছিছ'ৰ অপৰিহাৰ্য্য অঙ্গ স্বৰূপে এখনি উৎকৃষ্ট পাতনিত অতি আৱশ্যকীয় আৰু মূল্যৱান বহুত কথা বিস্তৃত আলোচনা কৰিছে। বৰ্ত্তমান প্ৰৱন্ধত তাৰ নিতান্ত চমু আভাষ মাত্ৰহে দিব পৰাটো সম্ভৱপৰ।

পোনতে অসমীয়া ভাষাৰ ইতিহাস আৰু ইতিবৃত্তৰ এটি চমু টোকা দি কাকতিদেৱে 'অসম' আৰু 'অসমীয়া' এই দুইটি শব্দৰ মূল বিশ্লেষণৰ সূত্ৰত কৈছে যে 'অসম' শব্দটোৰ লগত কেতবোৰ চৈনিক 'ক্ষেৰ' (khmer) লিপিৰ সংযোগ আছে। ইয়াৰ পিছত তেখেতে অসমীয়া ভাষাৰ লগত অন্যান্য আৰ্য্য ভাষাৰ সম্বন্ধ সম্পৰ্কে বিশদ আলোচনা কৰি কৈছে যে অসমৰপৰা ধৰি উত্তৰ বঙ্গকে লৈ প্ৰায় বিহাৰ পৰ্য্যন্ত এই গোটেই ভূমিখণ্ডৰ ভাষাটো মূলতঃ এক। এই ভাষাটো আছলতে অসমীয়া আৰু ইয়াৰ লগত যথাৰ্থ বঙালী ভাষাৰ বিশেষ সম্বন্ধ আৰু সামঞ্জস্য নাই। অদ্যাপি সদিয়াৰপৰা আৰম্ভ কৰি ৰংপুৰ, কোচবিহাৰলৈকে অসমীয়া ভাষাৰে সৈতে সামঞ্জস্য থকা ভাষাকে কোৱা শুনা যায়। প্ৰকৃত বঙালী ভাষা কেৱল বঙ্গদেশৰ পশ্চিম অঞ্চলতহে প্ৰচলিত। সেই কাৰণে উত্তৰ-বঙ্গ-খণ্ড যে এসময়ত ভাষা, জাতীয়তা আৰু সভ্যতা আদিত প্ৰকৃততে অসমীয়া আছিল তাক নুই কৰিব নোৱাৰি। এই ভাষাগত একতাকে লক্ষ্য কৰি কাকতিদেৱে কৈছে যে অসমীয়াৰ লগত ভাষাগত বৈষম্য আৰু বঙলাৰ লগত ভাষাগত সাম্য থকাৰ কাৰণে এতিয়াও শ্ৰীহট্টক অসমৰ পৰা আঁতৰাই নি বঙ্গদেশৰ লগত লগাই দিয়াটো অনুচিত নহ'ব। আনপক্ষে এই ভাষাগত সম্বন্ধ আৰু সামঞ্জস্যৰ খাতিৰেই এসময়ৰ যথাৰ্থ অসমীয়া ৰংপুৰ, দিনাজপুৰ, কোচবিহাৰ আদি থলক বঙ্গদেশৰপৰা একৰাই আনি আজিৰ অসমত লগ লগাই বহল অসমখনিকে পুনৰায় গঢ়ি তোলাটো সম্পূৰ্ণৰূপে সমীচীন নহবৰ কোনো কাৰণ নাই।

অসমীয়া ভাষাৰ পুৰাতত্ত্ব আলোচনা প্ৰসঙ্গত কাকতিদেৱে উল্লেখ কৰিছে যে সুদূৰ অতীতৰ সপ্তম শতিকাতো চৈনিক পৰিব্ৰাজক হিউএন্ চাঙে কামৰূপীয় (অসমীয়া) ভাষা উত্তৰ ভাৰতত চলিত অন্যান্য ভাষাৰ পৰা বেলেগ এটা বিশিষ্ট ভাষা বুলি মত প্ৰকাশ কৰি গৈছে।

অসমীয়া ভাষাৰ বিশিষ্টতা সূত্ৰত কাকতিদেৱে কৈছে যে উচ্চাৰণ আৰু ব্যাকৰণৰ পিনৰপৰা চালেও অসমীয়া ভাষাৰ লগত তথাকথিত 'বঙ্গভাষা' বা 'বাঙ্গালা ভাষা'ৰ কোনো মিল লেখত নপৰে। যি কিটা সাধাৰণ শব্দ এই দুয়োটা ভাষাতে প্ৰচলিত সেইবোৰ দৰাচলতে প্ৰায়-বিলাক ভাৰতীয় আৰ্য্য ভাষাৰে সম্পত্তি। এইবোৰ শব্দৰপৰাই অসমীয়া আৰু বঙালী ভাষাৰ মিল আছে বুলি প্ৰমাণ কৰিবলৈ যোৱাটো ভুল হ'ব। আছলতে পশ্চিম ভাৰতৰ ভাষাবিলাকৰ সৈতেহে অসমীয়া ভাষাৰ অলপ অচৰপ মিল দেখা যায়।

অন্যান্য ভাৰতীয় আৰ্য্য ভাষাৰ দৰে অসমীয়াৰো অধিকাংশ শব্দাৱলী প্ৰাকৃত পন্থেদি আহি বৰ্ত্তমান গঢ় ললেও মূলত যে সংস্কৃত তাক মানি লৈছে; কিন্তু, অসমীয়া ভাষাৰ সাধাৰণ সৰবৰহী আৰু ঘৰুৱা শব্দবিলাক যে খাছিয়া, কোল, বডো, কচাৰী, মিকিৰ, আহোম, মালয়ান্ আদি অনা-আৰ্য্য উৎসৰপৰা অহা তাক তেখেতে যুক্তি, প্ৰমাণ, উদাহৰণ আদিৰে অতি বিশদ আৰু সুন্দৰৰূপে প্ৰমাণিত কৰিছে। অকল উচ্চাৰণগত সমতাতে সন্তুষ্ট নহৈ এই বিষয়ে তেখেতে কাৰক, বিভক্তি, তদ্ধিত আদি ব্যাকৰণ বিষয়ক প্ৰণালীৰেও বিজ্ঞানসম্মত বিশ্লেষণ আৰু আলোচনা কৰি ভৈয়ামৰ অসমীয়া শব্দকোষত দাঁতি কাষৰীয়া আৰু পৰ্ব্বতীয়া ভাইসকলৰ কোটিকলীয়া মাত-কথাৰ প্ৰভাৱ নিৰ্ব্বিবাদে প্ৰমাণিত কৰিছে গোটাদিয়েক উদাহৰণ তলত দিয়া গ'ল।

কাবৌ, কমোৱা, নোদোকা, ভূৰ, কিংখাপ্, দীঙা, দোঙ্, টৌ, টাঙোন্, আদি শব্দ খাছিয়াৰপৰা অহা।

সেইদৰেই হোজা, হাফলু, শিলিখা, আদি শব্দ কচাৰীৰ পৰা আহিছে।

তেনেদৰেই এৰা, উতে, মুগা আদি শব্দ কোলৰপৰা আহিছে।

মালয়মৰপৰা পোৱা গৈছে গাহিৰ, নাহৰ, অকণ, দ'ল, বগা, আই, ৰাই, বৌ, ককাই ইত্যাদি শব্দবোৰ।

আহোমৰপৰা আহিছে পাং, পুং, ফাং, জিন, জেকা, কাই, খাং, টকালি, টং-কৰা, পোখা, ফেটা, ফাও, জান্, জিন্, জেঙা, খাপ্, চপনীয়া, ৰাপ্, ৰংঘৰ, লাওপানী আদি শব্দবোৰ।

সেইদৰেই মিকিৰৰপৰা 'তুল' আদি শব্দ (তুল= পৰ্ব্বত) অসমীয়া ভাষাত সোমাইছে।

এনেধৰণৰ অসমীয়াৰ টিয়ঁহ বা টিহুঁ, চামতা, বকতা আদি শব্দবোৰৰ গুৰি ভাৰতৰ আন কোনো ভাষাতে পোৱা নাযায়। এই সকলোবোৰৰ ওপৰত উল্লেখ কৰা অনা-আৰ্য্য উৎসৰপৰাহে অহা বুলি ডক্তৰ কাকতিয়ে নিৰূপণ কৰিছে।

উচ্চাৰণৰ অধ্যায়ত কাকতিদেৱে কৈছে যে যদিও উজনি আৰু নামনি অসমত উচ্চাৰণত 'প্ৰস্বন' (accent) সম্পৰ্কে কাণত লগা পাৰ্থক্য বৰ্ত্তমান আছিল, বৰ্ত্তমান অসমীয়া ভাষাত সেই বিভিন্নতা দূৰীভূত হৈ উচ্চাৰণৰ এটি মধুৰ সমিলমিল সংঘটিত হৈ গৈছে। বঙ্গদেশত কিন্তু এতিয়াও এই বিষয়টোত পূৰ্ব্ব পশ্চিম আদি খণ্ডবিলাকৰ মাজত যথেষ্ট বৈষম্য বৰ্ত্তমান। সেইগুণে স্বভাৱতে যে অসমীয়া ভাষা বঙালী ভাষাৰপৰা বেলেগ তাক এই এটা বিষয়েই প্ৰমাণ কৰে।

কাকতিদেৱে তেখেতৰ দ্বিতীয়খণ্ড 'থিছিছ'ত শব্দগঠন অধ্যায়ত অসমীয়া ভাষাৰ বিশেষত্ব দেখুৱাই কেতবিলাক অতি মূল্যৱান কথাৰ উল্লেখ কৰিছে। এই ক্ষুদ্ৰ প্ৰৱন্ধত তাৰ বহুল পৰিচয় দিয়াটো অসম্ভৱ।

তেখেতে কৈছে, যে প্ৰত্যয় সম্পদত অসমীয়া ভাষাৰ যি সমৃদ্ধি আৰু পৰিপূৰ্ণতা আছে তাৰ সমকক্ষতা ভাৰতৰ কোনো ভাষায়েই কৰিব নোৱাৰে। কেৱল মাথোন হিন্দী আৰু বিহাৰী ভাষাৰে সৈতেহে তুলনা চলিব পাৰে। অসমীয়া ভাষাত যেনেদৰে তিনিকুৰি সোতৰটা (৭৭) বেলেগ বেলেগ উপসৰ্গ আছে ভাৰতৰ আন কোনো ভাষাতেই তিমান নাই বুলি তেখেতে দেখুৱাইছে। ইয়াৰ ভিতৰতো বহুত উপসৰ্গ অসমীয়া ভাষাৰ আপুৰুগীয়া বিশেষত্ব। উদাহৰণ স্বৰূপে,—বাতৰিৰ 'ৰি' উপসৰ্গটো সংস্কৃতটো নাই গুণে ই অসমীয়া ভাষাৰ এটা ডাঙৰ বিশেষত্ব। সেইদৰেই 'উৰী' (জাউৰী, মঠাউৰী ইত্যাদি); 'কুৰি' (হাতকুৰি); 'উৰা' (কান্দুৰা, মুতুৰা, দন্দুৰা, ইত্যাদি) আদি প্ৰত্যয়বিলাক অসমীয়া ভাষাৰ বিশেষত্ব। বাইলুং, চেলেং, খোৰোং, খৰাং, হটঙা, জোলোঙা আদিও তদ্ৰূপ।

তদ্ধিত বিষয়ত তেখেতে কৈছে যে 'চালনিখন' 'মানুহজন', 'কাঠছটা', 'চলিটাৰ', ইত্যাদিৰূপ খুব সম্ভৱতঃ অনা আৰ্য্য ভাষাৰ প্ৰভাৱত হোৱা।

সম্বন্ধসূচক উপসৰ্গাদিৰ আলোচনাত কাকতিদেৱে কৈছে যে 'মোৰ বোপাই', 'তোৰ বাপেৰ', 'তোমাৰ বাপেৰা', 'তাৰ বাপেক', আদি ৰূপবিলাক এহাতে যেনেকুৱা অসমীয়া ভাষাৰহে আচুতীয়, আনহাতে তেনেকৈ অনা-আৰ্য্য উৎসৰ-পৰা পোৱাটোহে সম্ভৱ। এইবুলি তেখেতে শব্দ আৰু ৰূপবিলাকৰ আদি আৰু ইতিবৃত্ত খুচৰি বিচক্ষণভাৱে আলোচনা কৰিছে।

বহুবচনসূচক 'বোৰ', 'বিলাক', আদিও যে অসমীয়াৰ বিশেষত্ব আৰু সেইবোৰৰ মূল যে পুৰণি প্ৰাকৃতৰ লিপি আদিতহে পোৱা গৈছে তাকো ঐতিহাসিক সূত্ৰেৰে অনুসৰণ কৰি তেখেতে নিৰ্ণয় কৰিছে।

এইদৰে 'যেনে', 'কেনে', 'যেতিয়া', 'কেতিয়া', 'কাহানি', 'তাহানি' ইত্যাদিও আদিতে সংস্কৃতৰপৰা আহিলেও আজিৰ দিনত অসমীয়া ভাষাৰেহে সুকীয়া সম্পত্তি। নামনি অসমৰ 'হুন্', 'হান্', 'ভেল্লা', 'ইংলান্', আদি বহুবচনসূচক উপসৰ্গবিলাকৰো মূল আদি নিৰূপণ কৰি তেখেতে সুপ্ৰতিষ্ঠিত কৰিছে।

এইৰূপে যে ভাষাবিজ্ঞান সম্পৰ্কীয় কতবিলাক মূলাৱান আৰু কৌতূহল উদ্দীপক প্ৰসঙ্গৰ উত্থাপন আৰু আলোচনা কবি তেখেতৰ এই অপূৰ্ব্ব 'থিছিছ'ৰ কলেৱৰ পূৰ্ণ কৰিছে আৰু তাৰ জন্মীয়তে অসমীয়া ভাষাৰ বিশিষ্টতা সুপ্ৰমাণিত কবাৰ লগে লগে তাৰ সৌন্দৰ্য্য, মাধুৰ্য্য আৰু গৌৰৱৰ নিদৰ্শন দিছে তাক এনেকুৱা ক্ষুদ্ৰ প্ৰবন্ধত বুজোৱাটো অসম্ভৱ।

উপসংহাৰত কাকতিদেৱে কৈছে যে দবাচলতে অসম তথা অসমীয়া ভাষা এটি দ্বীপৰ নিচিনা। ইয়াৰ চাবিওফালে অসংখ্য অনা-আৰ্য্য ভাষাৰ প্ৰতিপত্তি আৰু প্ৰচলন। তত্তাচ যে এই বিভিন্ন ভাষাবিলাকৰ সংঘৰ্ষতো অসমীয়া ভাষাই নিজস্ব ৰাখিবলৈ সক্ষম হৈছে ইয়াৰ ঘাই কাৰণ দুটি :—

প্ৰথমতে, সুদূৰ অতীতবেপৰা ভাৰতৰ নানা অংশৰ আৰ্য্যভাষাভাষীসকলে অসমৰ মাজেদিয়েই সুদূৰ পূৰ্ব্বৰ ব্ৰহ্ম, কম্বডিয়া, শ্যাম, চীন আদি দেশলৈ যাতায়াত কবি থকাৰবাবে আৰ্য্যভাষাভাষী ভাৰতীয়সকলেৰে সৈতে অসমীয়াৰ সম্বন্ধ অটুত হৈ আছিল আৰু আজিও আছে।

দ্বিতীয়তঃ, অসম তথা কামৰূপত প্ৰৱাহমান কালবেপৰা এটি পৰাক্ৰমী আৰু প্ৰতিপত্তিশালী স্থানীয় ভাষা আৰু সাহিত্য চলি আছিছে। হিন্দী ভাষাভাষী প্ৰদেশবিলাকত তুলসীদাসৰ ৰামায়ণৰ যি প্ৰতিপত্তি অসম কামৰূপত এই আদি আৰু সুবিশাল সাহিত্যৰ প্ৰভাৱো লোকসাধাৰণৰ মাজতো ততোধিক প্ৰবল।

যিকৰণেই বা যাৰ দ্বাৰাই হওক এই অমূল্য 'থিছিছ' খনি যে কিছুদিনতে ছপা হৈ প্ৰকাশিত হ'ব তাত সন্দেহ নাই। ইংৰাজীতে লিখিত হোৱাৰ বাবে এই অমূল্য গ্ৰন্থই বিশ্ববিদ জনসমাজত নিজ ঠাই অচিৰে অধিকাৰ কবিব তাক কোৱা বাহুল্য মাথোন। জাতীয়তাৰ পিনৰপবা অসমীয়া ভাষাভাষী আমাবো এটা কৰ্ত্তব্য আছে। পাবিলে উপযুক্ত অসমীয়া প্ৰকাশকে কমমূলীয়াকৈ হলেও ইয়াৰ এখনি অসমীয়া তাঙৰণ বাইহৰ হাতত দিব পাবিলে অসমীয়া ভাষাৰ নথৈ কল্যাণ সাধিত হ'ব। 'অসম সাহিত্য সভা'য়ো এই বিষয়টো হাতত লোৱাটো অনুচিত নহ'ব ; কাৰণ আজিৰ দিনত অসমীয়া সাহিত্যৰ ইংৰেজ বা বৰঙ্গীতকৈয়ো যে কাকতি ডাঙৰীয়াৰ গ্ৰন্থখনি বিদেশী ভাষাৰ অত্যাচাৰত ব্যতিব্যস্ত হোৱা অসমীয়াৰ পক্ষে কি অমূল্য সম্পদ আৰু সাবথিস্বৰূপ তাক বহুনাই নকলেও হ'ব।



সূর্য্যৰ উদ্দেশ্যে বাণী সন্ধিয়া

—শ্ৰীযুতা বাসেশ্বৰী খাটনিয়াৰ

আপুনিতো এতিয়া যাবলৈ ওলাইছে—মই কান্দি-কাতি আপোনাক কথা নোসোধোঁ, ধীবে-সুস্থিবে আপোনাক সুধিম। মই ভালকৈ জানিছোঁ যে নিজে বলিয়া হৈ কথা সুধিলে ভাল কথাবোৰো মনৰ ওপবত লেপ-ঢেপ হৈ পবে। আপোনাৰ এতিয়া সেই বাজবেশ নাই—সেই কম্পপবায়ণ দীপ্ত কান্তি নাই—মৃদুৰ ছায়া আহি আপোনাৰ মুখত অলিয়া বলিয়া টো তুলিব লাগিছে। এই সময়ত আপোনাক কথা সোধা মোৰ অনুচিত হব পাবে—কিন্তু অইন সময়ত মোৰতো কথাই নোনায়, কি সুধিব লাগে, কি কব লাগে ভাবিয়ে নাপাওঁ। কেতিয়াবা এবাৰ কথা কবলৈ হলে এমাহ ধবি তাৰ বচনা কবিবলৈ ধৰোঁ, কেনেকৈ কলে ভাল হব, কেনেকৈ কলে কৰ্কশ নহব—কেনেকৈ কলে আপোনাৰ ভাৱৰ উপযুক্ত হব ; অথচ মোবো মুৰ্ণালি বাহিৰ নহব, সেইবোৰ আলোচনা কবোতে কবোতে মোৰ সময় গৈছিল। শিশিনীয়ে কাপোৰত ফুল তোলে, বাটৰৈয়ে কাককার্য্য কবে—চিত্ৰকৰে ছবি আঁকে—মই আপোনাৰ ওচবত নিমুত ছবি হৈ নিমজ বাক্য বচনাত ব্যস্ত আছিলোঁ। তাকে কবোতে কবোতে মোৰ সময় উকলি গল—হেঁপাহ মনতে থাকিল—এতিয়া দেখিছোঁ—আপোনাৰ জীৱন সন্ধ্যা উপস্থিত হৈছে। এতিয়া মোৰ ভয় নাই, প্ৰাণৰ ওপবত শাসন নাই। এতিয়া মই সম্পূৰ্ণ বাধিব ওলাই আহিছোঁ—আপুনি যদি মোক দেখা নাই—তেন্তে আজিয়েই চাই লওক।

আপুনি উচপ খাব পাবে—যাবে সৈতে একেলগে ইমান দিন কটালোঁ তাক নেদেখা হব পাবেনে? মই কণ্ঠ হয় পবে—ইমান দিনে মই আপোনাৰ ওচবত ওবণী নৈ মুবিছিলোঁ, মুবত ওবণী, কথাত ওবণী, ভাবত ওবণী, মুঠতে ফুলবছা ওবণীখনহে আপুনি ইমান দিনে দেখি আহিছিল, মোৰ চকুযুবিতো ওবণী আছিল। আজি মোৰ সম্পূৰ্ণ নিশ্চাসন মুবত ওবণী নাই। হয়তো মোৰ মনৰ ৰূপ, দেহৰ গঠন, মুখৰ অবয়ব, পদুমৰ দৰে মৃণাল যেন বাহু দুটি দেখি—তাতে মোৰ প্ৰাণ মোহিনী ৰূপ দেখি পুনবাই মৃত্যুশয্যাপৰা উঠি জীৱনৰ অভিনয় কবিবৰ মন গৈছে। হয়তো আপুনি ভাবিছে—আৰু কিছুদিন আগেয়ে মই এনেকৈ আপোনাক ধৰা নিদিলোঁ কিয়—সেইবাবে কিজানি মোক দোষী বুলিয়ে ধবি লৈছে। কিন্তু সেইটো আপুনি কব নোৱাবে, সেই দোষত মোক আপুনি দোষী কবিব নোৱাবে।

কলিটিৰ ওচবত সৌৰভৰ অনুসন্ধান কবিলে ক'ত পাব? সক আমৰ পুলিটিৰ ওচবত পকা আম বিচাৰিলে নিশ্চয় নিবাশ হব লাগিব। মই যদিও তেতিয়া গা ভৰপুৰ গাভৰু, ৰূপত যুৱতী, বসে পৰিপুৰ বছকী, তথাপি প্ৰাণৰ পথাবত নিচেই সক এটি গজালিছে। আপুনি পূৰ্ণ প্ৰাণেবে মোৰ ওচবলৈ আহিছিল—মই কবকে নোৱাবো! মোৰ সেই কঙালিনী বেশ দেখি আপুনি মনৰ ভিতবত সামবি-সুতবি বহিছিল—প্ৰাণ খুলি নাহিহিছিল—মন খুলি কথা নকৈছিল—আৰু হে বিজয়ী, আপুনি অতি অলপ কথাতে বাবে বাবে পবাজয় হৈছিল। বাস্তৱিকে সেতিয়া আপুনি মোক মাবিব খোজা ভুকুটো নামাবি সাবট মাবি চুমা খাইছিল—কবিবলগীয়া খণ্টো নকবি খিল্ খিল্কৈ হাঁহি দিছিল—তেতিয়া আপোনাক মই অপদার্থ ভাবিছিলো আৰু নিজক বিজয়িনী গৰ্ব্বীতা কবি লৈছিলোঁ। হে গৰ্ব্বহাবী! আজি মোৰ সকলো গৰ্ব্ব, সকলো অহঙ্কাৰ, সকলো ৰূপ যৌৱন আনি আপোনাৰ ওচবত বাখিছোঁ ; আজি মোক আপোনাব

কবক। মৃত্যুশয্যাত পৰি আপুনি দিবোৱৰ বিভীষিকা দেখিব লাগিছে—সেইবোৱ মোৰো অন্তৰত মূৰ্ত্তিমান হৈ উঠক। সুগন্ধৰ সন্ধানত মোৰ প্ৰাণ নানাচক, সুৱদি বস্তুত তৃপ্তি পলাই যাওক। আপোনাৰ বিকৃত দেহাটোক লৈ মই নাচি বাগি ফুৰিব পাৰোঁ—কিন্তু নানাছোঁ—বাবে বাবে চুমা খাব পাৰোঁ—কিন্তু নাখাওঁ, ই মোৰ নহয়, ই এতিয়া ৰ'দ বতাহৰ অধীন, যি ৰ'দ বতাহেই ইয়াক সজীৱ কৰিছিল—সেই ৰ'দ বতাহেই ইয়াক এতিয়া গলাই পমাই পেলাব। যি বস্তু তাঁলেকে যাওক—মোৰ বস্তু মোতে থাকক। গ'লা গ'লা সকলো শেষ কৰি গ'লা—কিন্তু মোক যাবৰ বেলিকা এটি কথাও কৈ নগলা—এবাৰো নামাতিলা। বাক সেয়ে হক। মই এতিয়া একো কথাতে ভেদ নকৰোঁ—যি পালোঁ সেয়ে পালো। কৈলৈ গৈছা তুমি! মোৱা নাই—বাহিবত নেদেখোঁ—কিন্তু অন্তৰত তুমিয়ে জিলিকি উঠিলা। মোৰ অন্তৰত তুমি কেনি সোমালা? মোৰ চকুৰ মাজেবে তোমাৰ চকু, নাকৰ মাজেৰে তোমাৰ শ্বাস-প্ৰশ্বাস, মোৰ ধমনিত তোমাৰ ধমনি, মোৰ মগজুত তোমাৰ মগজ কেনেকৈ মিল হৈ গ'ল; কাৰ এই অদ্ভুত সৃষ্টি, কাৰ এই লীলা খেলা—তোমাৰনে মোৰ?

ময়ো যেতিয়া শেষ হ'ম তেতিয়া মোৰ আৰু তোমাৰ কি অৰ্থ থাকিল! হায় কি বিৰাট ব্যৰ্থতা, কি মহান শূন্যতা। ইমান নিৰৰ্থক তুমি আৰু মই, ইমান অসাৰ্থক তোমাৰ আৰু মোৰ খেলা! বাক আৰু চাওঁ আৰু গবেষণাৰ দৃষ্টিত চাওঁ তোমাৰ মোৰ কিবা অৰ্থ আছেনে—আছিলনে—থাকিবনে? দৰকাৰ কি থকাৰ? নাথাকিলে বা হানি কি? মই শূন্যৰ পাছত ইমান ব্যস্ত হৈ পাৰিছোঁ কেলেই। সোঁৱা সোঁৱা দেখিছোঁ—দেখিছোঁ—কি? কি? সুন্দৰ সুন্দৰ অতি সুন্দৰ দেখিছোঁ। এটি সুন্দৰ সৌত পৰিছে—কেৱল অনন্ত সৌতত অনন্ত ব্ৰহ্মাণ্ড ঘুৰিছে। সুন্দৰ সৌত স্থলৈ আছিছে, স্থলৰ সৌত দেখিছো—উঃ কি সৌত—মহান সৌত—মুঠেই অলপ দেখিছোঁ—মুঠেই অলপ দেখিছোঁ। সোঁৱা নহয়—এইয়া ওচৰতে আকাশত, বতাহত, বনত, গছত, প্ৰাণত, মনত, সেই সুন্দৰৰ সৌত দেখিছোঁ। কৰণৰা আছিছে কৰ নোৱাৰো—কলৈ গৈছে কব নোৱাৰো কেৱল দেখিছোঁ—সুন্দৰবপৰা আহিছে, সুন্দৰৰ খেলা খেলিছে, আৰু সুন্দৰত নেদেখা হৈ যাব দৰিছে। বৰ ডাঙৰ ডাঙৰ পৰ্ব্বতবোৰ এই সৌততে ভাহি যাব দৰিছে। বৰ বৰ গ্ৰহ, তাৰকাবাহি এই সৌততে ওলাই পৰিছে, এই সৌততে নেদেখা হৈ যাব দৰিছে। নেদেখা হৈ মোহাত তাত আকৌ কোনোবা অচিনাকি মোৰ দৰেই এইদৰে দেখোতা আছে—দেখেহে কৈছোঁ—সব দেখিছোঁ সুন্দৰ। কঠিন মাটিত সৌত পৰিছে—কঠিন লোত সৌত পৰিছে কেৱল অনন্ত সৌততে অনন্ত ব্ৰহ্মাণ্ড ঘুৰিছে। সুন্দৰ সোত স্থলৈ আছিছে, স্থলৰ সোত সুক্ষ্মলৈ গৈছে। কি মহা নিয়ম—কি মহা নীতি—চকু ধৰ হ'ল, হৃদয় অৱশ হ'ল, আশা পূৰ্ণ হল আৰু মাতিব নোৱাৰো। তোমাক আৰু চাব নোৱাৰো—কি অপৰূপ ৰূপ তোমাৰ! ভাগৰি পৰিলো ভাগৰি পৰিলো। মই যি হাঁহি মিছা বুলি কান্দিছিলো সেই কান্দনো মিছা। যি ৰূপক মিছা বুলি উদাসীন হৈছিলো—সেই উদাসীনতাও মিছা, যি বন্ধুক বন্ধু বুলি আনৰ ফালে আৰ কাণোৰ তৰি দিছিলো সেই আঁৰ কাপোৰো মিছা। সকলো প্ৰকাশেই গোপনত লীন—আৰু সকলো গোপনতেই প্ৰকাশৰ অৰ্থযুক্ত হৈ আছে।

পোৱাৰ শেষ ইয়াতেই, খোজাৰ শেষ ইয়াতেই। হে গোপনবিহাৰী প্ৰিয়তম, তুমি কি নাজানা যে মইেই সেই তোমাৰ ৰূপৰ ৰূপৱতী উষাৰাণী তোমাৰ কৰ্ম্মৰ সহচৰী প্ৰকৃতি। তেতিয়া তুমি মোক এক্ষাৰৰ মাজত আনি ৰখাই তুলিছিলা—এতিয়া মোক এক্ষাৰৰ মাজত দৈ যাবলৈ ওলাইছা। তেতিয়া মই গৰবিনী, এতিয়া মই বিষাদিনী। তেতিয়া তোমাৰ ওচৰত মোক দেখি জগতৰ প্ৰাণবান্ধা নাচি উঠিছিল, মনৰ আনন্দ উত্তাৱৰা ধেমালিক ভাবাবে প্ৰকাশ কৰি আমাক অভিনন্দন কৰিছিল। এতিয়া সকলোৱে ক্ষুণ্ণ মনেৰে আমাৰ বিৰাট আলয় এৰি নিজ নিজ পঁজা বিচাৰি যাব দৰিছে। তুমি মেঘৰ আঁৰত ৰ বেৰঙৰ পিচকাৰী মাৰি দি মোক ভুকাইছা হয় কিন্তু তুমি যে যাবলৈ ওলাইছা সেইটো জানো মই জানি থকা নাই।

মোক কি তুমি ৰূপত ভোল মোৱা বুলি ভাবিছা—নে মণি মাণিকময় চন্দ্ৰাতপৰ তলত শুৱাই থৈ সুখ দিব পাৰিম বুলি ভাবিছা? তাৰ উত্তৰ এতিয়া নাপাবা, অলপ পিছত। মই বলিয়া হৈ কৈলৈকো নাযাওঁ—তোমাৰ পিছে পিছে ময়ো খোজ লম তুমি হাক দিলে অৱশ্যে মই শুনিম কিন্তু পিছতেই পাহৰি আক খোজ দিম। মোৰ কপাল ত আজি শিৱৰ সেন্দুৰ বুলি লোকে বুজিব পাৰে কিন্তু ইয়ে তোমাৰ লগত মহাপ্ৰাণৰ চিতাবোহণৰ সাজ-পাৰ তাক বয়সহ সকলেহে বুজ পাব। বাক তুমি মোৱাগৈ, ময়ো ভাগৰুকা দেহাটি মাটিৰ ওপৰত পেলাই দিওঁ। তুমি শেতাপাবা হাঁহি দি জোনক পঠাবা জানো—তেওঁ মোক ক্ষমা নোৱাৰে। তেওঁ অলপ মিচিকিয়া হাঁহি মাৰি অক্ষত-কাষ্ঠ হৈ ওচি যাব মাণোন। মই জানো তুমি বাবে বাবে তেওঁক পঠাবা—তেৱো তোমাৰ কথা মানি নেবা-নেপেৰা চেষ্টা কৰি এদিন গোটেই বাতিটো মোৰ ওচৰত থিল থিল কৰি হাঁহি থাকিব। তেওঁৰ হাঁহিৰ পোহৰ মোৰ গাত পৰিব পাৰে, মোৰ গাৰ দুই এটি অণুৰে তেওঁৰ ফালে এবাৰ চাব পাৰে; কিন্তু পিছতেই তুমি নহয় বুলি দেবি অৱজ্ঞা দেখুৱাব।

ছটি এটি কাউৰীয়ে তেওঁকে তুমি ভ্ৰম কৰি কা-কা-কৰি উঠিব পাৰে—কিন্তু আকাশত উৰিবলৈ তাৰ পাখী দুটি মেল নাখাব। তেতিয়ালৈকে, তেতিয়ালৈকে যেতিয়ালৈকে এই মই উবুনি হৈ শুই থকা সন্ধিয়াৰ কপালত বিচ্ছুবিত জেউতি পেলাই উষাৰ ফোট নিসিঞ্চাবা। সপ্তৰ্ষি তাৰকাক ওচৰত ৰাখি যেতিয়া সিংহাসনৰ পৰা নামি আহি মোৰ দীঘ আসনত চুম্বন নকৰিবা। আৰু হিয়াৰ গধুৰ বোজা কাঢ়ি নি অন্ধকাৰৰ ঢুলি কোছাৰ খোপাত পাৰিজাতৰ মালা সিন্ধাই নিদিবা।

অষ্ট্রেলিয়া ভ্ৰমণ

(আগৰ সংখ্যাৰ পাছৰপৰা)

[ৰবপেটাৰপৰা লাহোৰলৈ]

—শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য, বি-এ বি-টি

বিমান সোনকালে পৰা যায় লাহোৰ পোৱাই মোৰ উদ্দেশ্য। দুই এজন বন্ধু বান্ধৱক সুধি জানিব পাৰিছিলোঁ যে প্ৰথমে কলিকতালৈ গৈ হাওৱা ষ্টেশ্বনবপৰা সন্ধিয়া ৭টা বজাত 'পাঞ্জাব মেইলত' লাহোৰলৈ গ'লে ক'তো গাৰী বদলি কৰিব নালাগে আৰু সোনকালে পোৱা যায়। দৌৱা-দৌৰিকে লাগতিয়াল মাল-পত্ৰ কিছু লগত লৈ কলিকতাত থকা বন্ধু এজনলৈ শিয়ালদহ ষ্টেশ্বনত লগ ধৰিবলৈ এখন -টেলিগ্ৰাম কৰি বওনা হলোঁ। ইমান দৌৱা-দৌৰি হ'ল যে ৰবপেটাত কেবাজন বন্ধুক মাত লগাব সময় নাপালোঁ।

কলিকতালৈ গৈ ষ্টেশ্বনত দুজন বন্ধুক লগ পালোঁ। তেওঁলোকৰ লগত গৈ মোৱা-লোৱা কৰি ওঠাইত থকাৰ কৰি জানিব পাৰিলোঁ যে সেই দিনাখন সন্ধিয়া হাওৱাপৰা লাহোৰলৈ মোৱা কোনো গাৰী নাই। 'দিল্লী এক্সপ্ৰেছ' নামে এখন গাৰী দিনৰ ৪টা বজাত হাওৱাপৰা যায়; তেতিয়া সেইখনৰো সময় নাই, কাৰণ প্ৰায় ৩টা বাজে।

এই কথা শুনি বজাহত যেন হলোঁ। এনেয়ে মোৰ যোৱাত পলম, তদুপৰি গাৰীৰ সময় নজনা দোষৰ বাবে আকৌ এদিন কলিকতাত অপেক্ষা কৰিব লগা হ'ল।

ইপিনে জাহাজ-ভাড়া দিল্লীত গ্ৰহণ কৰিবনে নকৰে তাকো জানিব নোৱাৰিলোঁ; লাহোৰলৈ পাছ-পোৰ্ট লগত লৈ যাবৰ আদেশ আছিল, সিও নাই; এইবিলাক কথা ভাবি-চিন্তি দুখে বেজাৰে ৰাতিটো এটা হোটেলত কটাবৰ মন কৰি, তালৈ বন্ধু দুজনৰ লগত ওলালোঁ।

সৌভাগ্যক্ৰমে সেই হোটেলত আন এজন বন্ধু লগ পালো। তেওঁক কথাবিলাক ভাঙি-পাতি কোৱাত তেওঁ এখন 'ব্ৰ্যাডশ' অৰ্থাৎ গাৰীৰ সময় নিৰূপণ কৰা কিতাপ খুলি লৈ চাবলৈ ধৰিলে।

কিছু সময় চাই তেওঁ ক'লে যে ৭টা ৪৫ মিনিটত হাওৰাৰপৰা পাঞ্জাব মেইল এৰিব। শুনি আচৰিত হলোঁ; ঘৰি চাই দেখিলোঁ তেতিয়া ৭॥০টা। ইতিমধ্যে বন্ধুজনে চাহৰ যোগাৰ কৰিছিল; চাহ আহি উপস্থিত হ'ল; লৰালৰিকৈ দুই চাৰি ঘোট খাই বিছনাখন আৰু 'ছুটকেছ'টো লৈ বাহিৰলৈ ওলাই আহিলো। এখন 'টেক্সি' ভাড়া কৰি হাওৰাত গৈ উপস্থিত হলো; খবৰ কৰি জানিব পাৰিলোঁ যে গাৰী এৰিবলৈ তেতিয়াও ৭মিনিট আছে। দৌৰা-দৌৰিকৈ টিকট কিনিবলৈ গলোঁ। পাঞ্জাব মেইলত তৃতীয় শ্ৰেণী নাই, গতিকে বাধ্য হৈ 'ইণ্টাৰৰ' টিকট এখন কিনি ললোঁ।

ইয়াতে কৈ থওঁ যে মই ৱাল্‌টন ষ্টেশ্যনত নামিব লাগিছিল; কিন্তু পাঞ্জাব মেইলত সেই ষ্টেশ্যনৰ টিকট নাপাই লাহোৰৰ টিকট লবলৈ বাধ্য হলোঁ। পাঞ্জাব মেইলত লাহোৰলৈ গ'লে দিল্লীৰে নগৈ ছাহাৰাণপুৰেৰে যোৱাই ভাল, কাৰণ তেতিয়া গাৰী ক'তো বদলি কৰিব লগা নহয়; গতিকে তাকেই কৰিলোঁ।

যিখন গাৰীত উঠিলোঁ তাত দুজন বঙালী ভদ্ৰলোক আৰু এজন শ্বেতাঙ্গ আছিল। বঙালী ভদ্ৰলোক দুজনে বিছনা মেলি দি তলৰ বেঞ্চি দুখন দখল কৰি বহি আছে; শ্বেতাঙ্গজনে বিছনাখন ওপৰৰ চাং এখনত থৈ তলৰ বেঞ্চিৰ এমূৰে বহি আছে। ময়ো মোৰ বিছনাখন আনখন চাঙত থৈ ইফালে সিফালে চাবলৈ ধৰাত ইজন ভদ্ৰলোকে ভৰি কোচাই বেঞ্চিৰ এমূৰে বহিবলৈ অলপ ঠাই কৰি দিলে; মই ইংৰাজী ধৰণে ধন্যবাদ জনাই বহি পৰিলো।

শ্বেতাঙ্গজনে মোৰ গন্তব্য ঠাইৰ বিষয়ে প্ৰশ্ন কৰাত মোৰ লগৰীয়া বন্ধু এজনে সংক্ষেপে মোৰ ভ্ৰমণৰ উদ্দেশ্য তেখেতৰ আগত অলপ ক'লে।

বন্ধু দুজনৰ পৰিশ্ৰম আৰু চেষ্টাৰ বাবে অন্তৰে অন্তৰে নথৈ শলাগ লৈ, মিঃ হগ ছাহাবলৈ মই কলিকতাৰপৰা ৰাওনা হোৱা বুলি এখন টেলিগ্ৰাম কৰিবলৈ দি তেওঁলোকৰপৰা বিদায় ললো।

গাৰী এৰি দিলে; বেগা-বেগিকৈ এজন টিকট পৰিদৰ্শক আহি আমাৰ গাৰীত উঠিল; মই অলপ ঠেলা-হেচাকৈ তেওঁক মোৰ ওচৰতে বহিবলৈ অলপ ঠাই উলিয়াই দিলো; তেওঁ সকলোৰে টিকটবিলাক চাই মোৰ ওচৰতে বহিল।

বহুত সময়ৰ মূৰত সুস্থিৰলৈ হৈ বহিবলৈ পাই মনত অলপ ভাল লাগিল। লাহেকৈ জেপৰপৰা এখন তামোল উলিয়াই লৈ মুখত ভৰালোঁ। ইয়াকে দেখি শ্বেতাঙ্গজনে ক'লে, "আপোনাৰ বোধকৰোঁ তামোল খোৱা অভ্যাস আছে, অষ্ট্ৰেলিয়াত গৈ কেনেকৈ চলিব?" মই অলপ হাঁহি মাৰি কলোঁ, "নাপালে নোখোৱাকৈ থাকিব পাৰোঁ।" মোৰ কথা শুনি সকলোৱে অলপ হাঁহিলে। তাৰ পিছত নানা তৰহৰ কথা-বাৰ্ত্তাৰে সময় কটাবলৈ ধৰিলো।

কথাই কথাই জানিব পাৰিলোঁ যে শ্বেতাঙ্গজনে কিছু দিনৰ আগতে 'ৰেল্‌ৱে' বিভাগত চাকৰী কৰিছিল; কিন্তু কোনো বিশেষ কাৰণত কৰ্ম্মচাৰীৰ সংখ্যা কমাব লগা হোৱাত তেওঁ চাকৰীৰ পৰা এৰা পৰিছে। তেওঁ ক'লে যে ভাৰতৰ কোনো বিভাগতে কৰ্ম্মচাৰীবিলাকৰ ভাল-ৰকমৰ সঙ্ঘবদ্ধতা নাই, আৰু সেই কাৰণেই তেওঁলোকৰ তেনে দুৰ্দ্দশা ঘটে। বঙালী টিকট পৰিদৰ্শকজনে শ্বেতাঙ্গৰ কিছুমান যুক্তি ন্যায়সঙ্গত হ'লেও সমৰ্থন কৰিবলৈ অলপ সঙ্কোচিত যেন অনুমান হ'ল। আমি তেওঁলোকৰ যুক্তি-তৰ্ক শুনি যাবলৈ ধৰিলোঁ।

পাঞ্জাব মেইল প্ৰায় ডেৰ ঘণ্টা দুঘণ্টাৰ মূৰতহে একোটা ষ্টেশ্যনত থামে। ঘৰি চাওঁ যে প্ৰায় ৯॥০টা; লাহে লাহে গাৰী গৈ বৰ্দ্ধমান ষ্টেশ্যনত থামিল। ময়ো ৰাতিটোৰ

কাৰণে শেষ ভোজন কৰিবলৈ গাৰীৰপৰা নামি গলোঁ।

ষ্টেশ্যনত নানা তৰহৰ মিঠাই লৈ ফেৰিৱালাবিলাকে চিঞৰি ফুৰিব ধৰিছে। মোৰ মুখখন আগৰেপৰা মিঠা পৰি আছিল, তাৰ ওপৰত আকৌ কিছুমান মিঠাই খাবলৈ মুঠেই ইচ্ছা নগ'ল। জলা নাইবা টেঙা বস্তু খাবলৈহে বৰ ইচ্ছা হ'ল। এনেতে এজন ফেৰিৱালাই 'ছানা-ফুলৌৰি, ছানা-ফুলৌৰি' বুলি চিঞৰি চিঞৰি ওচৰলৈ আহিল। তাৰ পোহাৰখন নমাবলৈ কলোঁ। চাওঁ যে পোহাৰত কিছুমান ভজা-বুট আৰু কেইটামান বৰ-ভজা। সিহঁতে বুট-ভজাক 'ছানা' আৰু বৰ-ভজাক 'ফুলৌৰি' কয়। ভজা-বুটৰ ওপৰত ৰঙা ৰঙা জলকীয়াবিলাক দেখি লোভ সামৰিব নোৱাৰিলোঁ। "টাট্‌কা নে" বুলি সোধাত সি দুটামান বুট মোৰ হাতত দিলে; চাওঁ যে গৰমে আছে। এক পইছাৰ 'ছানা' আৰু এক পইচাৰ 'ফুলৌৰি' কিনি লৈ খাবলৈ ধৰিলোঁ। খাই বৰ ভাল লাগিল; সেই সময়ত ৰম-গোল্লা নাইবা সন্দেস খোৱা হ'লে ইমান ভাল নালাগিল হেতেন। যি হওক 'ছানা-ফুলৌৰি' খাই উঠি তাৰ পিছত এক পিয়লা 'ক'ল্যামৃত' অৰ্থাৎ কলিকালৰ দেৱতা বা ভদ্ৰলোকসকলে পান কৰা অমৃত স্বৰূপ চাহ পান কৰি সিদিনাৰ কাৰণে ৰাতিৰ ভোজন শেষ কৰিলোঁ।

তামোল এখন চোবাই গৈ আকৌ গাৰীত উঠিলো। শ্বেতাঙ্গজনে ওপৰৰ চাংখনত তেওঁৰ বিছনাখন পাৰি লৈছে; মই যোৱা মাত্ৰকে আনখন চাঙত মোৰ বিছনাখন পাৰিবলৈ ক'লে। ময়ো তেওঁৰ কথামতে বিছনা পাৰি লৈ শুই পৰিলোঁ।

সাৰ পাই চাওঁ যে ৰাতি পুৱাইছে। তললৈ নামি আহিলো। লগত যদিও 'ব্ৰাছ' আৰু 'টুথপেষ্ট' আছিল তথাপি কেইডালমান শৌৰাৰ ঠানি ঘৰৰপৰা কাটি লৈ গৈছিলো। তাৰে এডাল উলিয়াই লৈ দাঁত ঘহিবলৈ ধৰিলোঁ।

ৰাতি আন এজন ভদ্ৰলোক আহি আমাৰ গাৰীত উঠিছিল। তেওঁৰ লগত কথা পাতিবলৈ ধৰিলো। লাহে লাহে গাৰীৰ বেগ কমি আহিব ধৰিলে; খিৰিকীৰে মুখ উলিয়াই চাওঁ যে গাৰী বাৰাণসীৰ ওচৰ চাপিছে। ভদ্ৰলোকজনে গাৰীৰপৰা আঙুলিয়াই মোক দশাশ্বমেধ ঘাট, বেণীমাধৱৰ ধ্বজা ইত্যাদি দেখুৱাবলৈ ধৰিলে। মই কলো যে আগেয়ে দুবাৰ মই বাৰাণসীলৈ আহিছিলোঁ আৰু সেই তীৰ্থ-স্থানবিলাক দেখিছোঁ।

গাৰী লাহে লাহে ষ্টেশ্যনত থামিল; নামি গৈ হাত-মুখ ধুই ললো। নানা তৰহৰ ফলৰ পোহাৰ লৈ ফেৰিৱালা বিলাকে চিঞৰি ফুৰিব ধৰিলে; মই কেইটামান সোন্তৰা টেঙা, মধুৰি আম, আপেল আৰু আঙুৰ কিনিলো। এক পিয়লা চাহ আৰু অলপ মিঠাই খাই গাটো অলপ গৰম কৰি ললোঁ।

ঘণ্টা পৰিল; গাৰী এৰি দিলে; দুয়োফালে আৰ্য্যাৱৰ্ত্তৰ সৌন্দৰ্য্য চাই যাব ধৰিলোঁ। মনত পৰিল এদিন এই ঠাইৰ ঋষি-মুনিসকলে হাজাৰ হাজাৰ বছৰৰ পূৰ্ব্বে পদব্ৰজে ভাৰতত নানা ৰকমৰ লীলা-খেলা কৰি ফুৰিছিল; এই ঠাইৰ গছৰ ছাঁত বহি ৰামায়ণ মহাভাৰতৰ নিচিনা কাব্য ৰচনা কৰিছিল; এই ঠাইৰ ৰজাই প্ৰজাৰঞ্জনাৰ্থে প্ৰিয়তমা ভাৰ্য্যাক বনবাস দিছিল; ঋষি-মুনিৰ প্ৰভাৱত চোৰ ডকাইত লোপ পাইছিল। আজি সেই ঠাইৰ মাজেদি চোৰ-ডকাইত, বিশ্বাসঘাতক, সাধু-সন্ত, সকলোকে সাবটি লৈ পৃথিবী কঁপাই ভাপত-চলা-গাৰী যাব ধৰিছে। আজি-কালি মিছা কথা নকলে কাৰবাৰ নচলে, সহজে কাম সাধন কৰিব নোৱাৰি ইত্যাদি ভাব দেশে দেশে প্ৰচাৰিত হৈছে! আজিকালি সঁচা কথা কোৱা সৰল চিত্তৰ মানুহে ভোদা নাম পাইছে আৰু পদে পদে লাঞ্ছিত হব লাগিছে। পাঠক! যদি ভাল পায় তেন্তে ইয়াক উন্নতি আৰু সভ্যতা বুলি কওক। কিন্তু এই উন্নতি আৰু সভ্যতাৰ চৰম সীমাপ্ৰাপ্ত দেশ এখন নিজ চকুৰে চাই আহি আজি আপোনালোকৰ আগত সেই দেশৰ বিষয়ে দু আষাৰমান কম বুলি ভাবিছোঁ। কব জানোনে নাজানো কব নোৱাৰোঁ।

গাৰী আৰ্য্যাৱৰ্ত্তৰ খেতি পথাৰৰ মাজে মাজে যাব ধৰিলে। পথাৰৰ মাজে মাজে কুঁৱা; তাৰপৰা বলধ লগাই পানী তুলি খেতিয়কবিলাকে অতি কষ্টেৰে খেতি কৰে। অসমীয়া খেতিয়কৰ লগত তেওঁলোকৰ পৰিশ্ৰমৰ তুলনা নহয়। ইমান পৰিশ্ৰম কৰিও তেওঁলোকে নানা ৰকমৰ খেতি কৰে।

আমি থোৱা বুট, মগু, বহৰ, মটৰ ইত্যাদি দালিবোৰৰ সেই ঠাইতে উৎপন্ন হয়।

খেতি-পথাৰৰ মাজে মাজে সৰু সৰু গাঁও। গাৱঁৰ ভগা ঘৰবিলাকৰ দুৱৰস্থা দেখিলে আৰু খেতিয়কবিলাকৰ পৰিশ্রমলৈ মনত পৰিলে নিজৰ ওপৰত ধিক্কাৰ আহে।

প্রায় ১টামান বজাৰ সময়ত গাৰী আহি লক্ষ্ণৌ পালে। কেবাজনো নতুন যাত্রী আহি গাৰীত উঠিল। তাৰ ভিতৰত দুজন পাঞ্জাবী মিস্ত্রী আৰু এজন শিক্ষিত ডেকা আছিল। মিস্ত্রী দুজনৰ লগত কথা পাতি বুজিব পাৰিলোঁ যে মই যিদিনা ৰবপেটাৰপৰা যাত্রা কৰিছিলোঁ ঠিক সেই দিনাই তেওঁলোকেও আমিন গাৱঁৰপৰা ৰাওনা হৈছিল। গতিকে একে গাৰীতে পাৰ্ব্বতীপুৰলৈ আহি তাৰপৰা মই কলিকতালৈ যাওঁ আৰু তেওঁলোকে সৰু লাইনেৰে আহে; আজি আহি আকৌ একে গাৰীতে যাব লগা হ'ল। মই ইমান দূৰ ঘূৰি অহাৰ বাবে তেওঁলোকতকৈ প্রায় ২০্টকা বেছি গাৰী-ভাৰা ভৰিলোঁ। এই কথা জানিব পাৰি নিজৰ অনভিজ্ঞতাৰ কাৰণে মনে মনে ধিক্কাৰ আছিল। তেতিয়াই ষ্টেশ্বনলৈ নামি গৈ এটকা দি এখন 'ব্রাণ্ডশ্' কিনি ললোঁ।

ডেকাজনৰ লগত কথা পাতি জানিব পাৰিলোঁ যে তেওঁ আলিগৰ বিশ্ববিদ্যালয়ৰ এম ৰাৰ্ষিক শ্রেণীৰ ছাত্র। মই স্কাউট জাম্বৰীলৈ যাবলৈ ওলোৱা বুলি শুনি তেওঁ মুখখন কোঁচাই নিলে। তাৰ পিছত লাহে লাহে কবলৈ ধৰিলে "ইমান টকা খৰচ কৰি তালৈ হৈ চৈ লৈ কৰিবলৈ যোৱাৰপৰা লাভ কি? তাৰ পৰিৱর্ত্তে সেই টকাৰে যদি বিশ্ববিদ্যালয়ৰ কিছুমান ভাল ভাল ছাত্র বাছি নি কোনো এটা বিষয় শিক্ষা দিয়াৰ কাৰণে বিদেশলৈ পঠিয়ালেহেতেন তেন্তে দেশৰ বহুত কল্যাণ হ'লেহেতেন।" মই কলোঁ, "আমিও দেখি শুনি অলপ শিকিব পাৰিম বুলি আশা কৰি যাবলৈ ওলাইছোঁ।" মোৰ উত্তৰত তেওঁ সন্তুষ্ট নহ'ল। তেওঁৰ যুক্তি শুনি মোৰো ভাল নালাগিল; কাৰণ বিশ্ববিদ্যালয়ৰ দুই এজন ভাল ভাল ছাত্র বিদেশত শিক্ষা লাভ কৰি আহি ছেট্ কোট মাৰি 'হা চাকৰী, হা চাকৰী' কৰি ঘূৰি ফুৰা দেখিছোঁ; কিন্তু তেওঁৰ লগত তৰ্ক কৰি অশান্তিৰ সৃষ্টি কৰা ভাল বিবেচনা নকৰিলোঁ।

ৰাতি হ'ল; অলপ জল পান কৰি শুই পৰিলোঁ। পিছদিনা ৰাতিপুৱা গৱজাত লাহোৰ ষ্টেশ্বনত নি নমাই দিলে। ভাবিছিলোঁ টেলিগ্রাম কৰিছোঁ কোনোবাই আগবঢ়াই নিবলৈ আহিব, কিন্তু ষ্টেশ্বনত বহুত সময় ইতস্ততঃ কৰি থাকিও কাৰো লগ নাপালোঁ। নিকপায় হৈ বিছনাখন আৰু 'ছুট-কেছ' টো হাতত লৈ ষ্টেশ্বনৰ বাহিৰলৈ ওলাই গলোঁ। চাৰিও ফালৰপৰা কুলী আহি ঘেৰি ধৰিলে। সিহঁতক ৰাল্টন্ ষ্টেনিং স্কুলৰ কথা সোধাত কোনেও একো কব নোৱাৰিলে।

এনেতে টেলিফোনৰ নম্বৰটোলৈ মনত পৰিল; কিন্তু কেনেকৈ টেলিফোন কৰিব লাগে তাৰ একো ভূ-ভাৰ নাপাওঁ। ওচৰতে এজন ভদ্রলোক দেখা পাই তেওঁক মোৰ বিপদৰ কথা জনালোঁ। তেওঁ ক'লে যে তু অনা পইছা দিলেই টেলিফোন্ কৰিব পাৰিব। মই তৎক্ষণাৎ দুআনা পইছা উলিয়াই তেওঁৰ হাতত দিলোঁ। তেওঁ অফিচত দুআনা জমা দিলে আৰু মোৰপৰা নম্বৰটো সুধি নি টেলিফোনৰ ওচৰত আঙুলিবে চকা এটা ঘুৰাই দিলে। তাৰ পিছত মোক মাতি নি কথা পাতিব দিলে। মই কথা পাতি একো বুজিব নোৱাৰিলো; খং উঠি বাহিৰলৈ ওলাই আহিলোঁ।

নিকপায় হৈ আন এজন ভদ্রলোকক সোধাত তেওঁ ক'লে যে ৰাল্টন্ টেনিং স্কুল তাৰপৰা ৭মাইল দূৰৈত, যোৱাৰ উপায় সোধাত ক'লে যে টাঙা গাৰী এখন ভাড়া কৰি তালৈ গ'লে প্রায় এটকা খৰচ পৰিব, কিন্তু ডেৰ ঘণ্টা অপেক্ষা কৰিলে এখন বেলগাৰী আহিব আৰু তাত গ'লে দুআনা মাত্র খৰচ পৰিব। ৰাল্টন্ ষ্টেনিং স্কুল বেল ষ্টেশ্বনৰ পৰা প্রায় পোৱা মাইল দূৰৈত।

এই খৰৰ পাই ডেৰ ঘণ্টা ষ্টেশ্বনত অকলে অকণে বহি থকাতকৈ টাঙা গাৰীৰে যাম বুলি তেখেতক কলোঁ। তেখেতে এজন গাৱোৱানক মাতি আনি তাক তালৈ যোৱা বাটৰ দিহা লগাই দি মোৰপৰা বিদায় ললে। মই তেখেতৰ পৰিশ্রমৰ বাবে নৰৈ শলাগ লৈ গাৰীত উঠিলোঁ। গাৱোৱানে নি যথা সময়ত মোক নিৰ্দ্দিষ্ট ভাৰতীয় স্কাউট প্রতিনিধিসকলৰ শিবিৰত নমাই দিলে।

—ক্রমশঃ

জন্মভূমি

কবিতা— —শ্রীযুত বিনন্দচন্দ্র বৰুৱা বি-এ

স্বর্গতো অধিক এই জন্মভূমি মোৰ
আছে জানো আৰু এনে ঠাই,
প্রথমে জানৰ চকু মেলিলো ইয়াতে
এনে ঠাই কল্পনাতো নাই,
কোমলতে পৰি থোৱা কুমলীয়া সাঁচ
বঢ়ালো যি বায়ু পানী পাই,
পাবো জানো পাহৰিব জীৱনত মোৰ
হিয়া যাত দিলো উদগাই?
ইয়াৰেই জল বায়ু ইয়াৰ মাটিতে
মিলি মোৰ হেজুতি চৰাগ,
নাই পৰা সৰি সৰি সৰগৰ পৰা
এটি এটি ফিলিঙটি প্রায়।
অমৃত বৰষা মাত্ত জননী মুখৰ
সৰি পৰা শুনিলো ইয়াত,
তাৰেই মোহত পৰি পাহৰি সকলো
ভোল গলো জননী কোলাত।
যিখনি কোলাত বহি অমৃত ভোগিলো
জন্মভূমি তাকো যে আখাৰ,
যি অমৃত পান কৰি হলো এতেদিনি
বলে জাতি ইয়াতেই পাব।
আনন্দৰ বিষাদৰ নতুবা ভয়ৰ
শুনো সেই একেযাৰি মাত,
অন্তৰবো অন্তৰৰ মৰ্ম্মস্থল ভেদি,
তাতে উঠে যাত প্রতিঘাত,
একে বেলি একে জোন বিশ্ব জগতৰ
তাকো যেন আছে ভেদ পৰ,
আপোন নহয় যেন পৰৰ দেশত
পৰদেশত নিয়ৰ নিয়ৰ।
একেই গৰুৱে প্রথা সকলো মানৰ
তাকো দিলে ভাব ভেদ পৰ,

একেখনি জন্মভূমি একেযাৰি মাতে
কবিলে গেনোক সহোদৰ।
পর্ব্বত পাষাণ ভৰা নতু মৰুভূমি
সেই হক জন্মভূমি মোৰ
সুখৰ দুখৰ ভৰা সকলোটি ভাবে
ইয়াতেই মেলি দিলে ঠোৰ।
যদি মোৰ জন্মভূমি কবি পৰিহাস
ইতিহাসে বিদ্রুপেৰে চায়,
বুজিব নোৱাৰো কিয় ক্ষুদ্র হিয়াখনি
বেজাহত যেন ফাটি যায়।
শুনিলে কাহিনী যাৰ গৌৰৱেৰে ভৰা
উত্তেজিত হিয়া উঠে ফুলি,
নাজানো কি মায়াপুৰি এই জন্মভূমি
সাদৰে সম্বাযো কিনো বুলি,
চকুত চমক লগা সুখেৰে প্লপঙা ধৰা
ধৰু ভৰি গোটেই সংসাৰ,
মহিত নিকিন এই জন্মভূমি মোৰ
তুলনাত সকলো অসাৰ,
জনমে জনমে যেন ইয়াতে জনম
ইয়াতে মৰণ যেন হয়,
ভিগাৰীৰ লাওলোটা লৰলৈও হলে
স্বদেশত যেন মতি ৰয়,
স্বদেশ স্বজাতি আৰু স্বধর্ম্মত থাকি
শুনো যেন স্বদেশৰ ভাগ্য,
স্নেহময়ী জননীৰ মৌসনা মাত
তাতে মাখো নিকিনব আশা,
স্বর্গতো অধিক কবি প্রিয়া যেতিয়া
প্রভু মোৰ প্রিয় জন্মভূমি;
জনমে মৰণে যেন ইয়াতেই থাকো,
তোমাৰ অন্তত, দুহেজাৰ"।

চিত্রকৰ, কবি আৰু

আদৰ্শ ধনী

গল্প— —এম্, আৰ, ইছলাম

আৰ্থিক অনাটন হলে পুৰুষৰ কি শাৰীৰিক সৌন্দৰ্য্য, কি মানসিক কল্পনা একোৰে একো মূল্য নোহোৱা হয়। আন হাতে সেইবোৰ বিৰম্বনাৰহে কাৰণ হয়। মনৰ ইচ্ছা বা কল্পনাৰ সৃষ্টি ধনী মানুহৰেই শুৱায়, দুখীয়াৰ নুশুৱায়। দুখীয়াই মাথোন ধনী লোকৰ কাৰণে হৃদয়ৰ তেজ দি খাটিব, আৰু তেওঁবিলাকৰ চুৱা-মকৰা আহাৰেৰে কোনোমতে, কুকুৰৰ দৰে জীৱন ধাৰণ কৰিব। আধুনিক সভ্যতাৰ ইয়েই হৈছে আছল তথ্য আৰু নিৰ্ম্মম সত্য! হিউগি আৰস্কিনৰ মনত হলে এনে ধাৰণাই কেতিয়াও ঠাই পোৱা নাছিল। তেওঁ যে বৰ প্ৰতিভাশালী মানুহ আছিল তেনে নহয়। তেওঁ কেতিয়াও কোনো মনত ৰাখিব লগীয়া মৌলিক কথা কোৱা নাই। মনত দুখ দিয়া কথাও তেওঁ কেতিয়াও কাকো কোৱা নাছিল। কিন্তু তেওঁ আছিল এজন সুন্দৰ পুৰুষ। সোণালী বৰণৰ অলপ কেকোঁৰা কেকোঁৰি চুলি, মুখখনি যেন সাঁচত হে গঢ়া, চকুযুৰি ডঁহা। পুৰুষ সমাজত যেনেকৈ তেওঁৰ আদৰ আছিল, তিৰোতা সমাজত তাতোকৈ এখোপ চৰা নহলেও কম নাছিল। পুৰুষৰ আৱশ্যকীয় কোনো এটি গুণৰেই তেওঁৰ গাত অভাৱ নাছিল। তেওঁ মাথোন নাজানিছিল এটা বিষয়হে—কেনেকৈ টকা পইছা আৰ্জ্জিব লাগে। উত্তৰাধিকাৰী সূত্ৰে তেওঁ তেওঁৰ স্বৰ্গগত পিতাকৰপৰা, সম্পত্তিৰ ভিতৰত পাইছিল মাথোন এখন মামৰে ধৰা তৰোৱাল, আৰু ৫০ ভাগত শেষ হোৱা পেনিনছুলাৰ যুদ্ধৰ জীৰ্ণ ইতিহাস এখন। হিউগিয়ে তৰোৱালখন থৈছিল আৰ্চিৰ আকোঁহাত আৰি আৰু কিতাপবোৰ থৈছিল এটা আলমাৰিত কিছুমান ফটা-চিটা মাহেকীয়া কাকতেৰে সৈতে সিচৰতি কৰি তেওঁৰ এজনা বুঢ়ী খুৰীয়েকে অন্তিম ক তেওঁক দুশ মুদ্ৰা বাৰ্ষিক আয়ৰ এটি সম্পত্তি দি থৈ গৈছিল। সেই টকাৰেই হিউগিয়ে কোনোমতে জীৱিকা নিৰ্ব্বাহ কৰিছিল। টকা পইছাৰ কাৰণে হিউগিয়ে প্ৰায় সকলো ৰকমৰেই ব্যৱসায় কৰি চাইছিল। ছমাহ তেওঁ কোম্পানিৰ কাগজ লৈ ঘূৰে। ছমাহতকৈও অধিক কাল, তেওঁ চাহৰ কাৰবাৰ কৰি চালে। 'পিকো' আৰ 'ছুচাং' এই দুবিধ চাহৰ ভিতৰতনো বিভিন্নতা কি তাক ঠাৱৰ কৰিবৰ কাৰণে ভাবোতেই তেওঁৰ মূৰ ঘূৰাই গৈছিল। তাৰ পিছত তেওঁ কিছুদিন চেৰি মদৰ কাৰবাৰ কৰি চাইছিল। কিন্তু এই ব্যৱসায়তো তেওঁৰ মন নবহিল। অৱশেষত তেওঁ সেই সকলো এৰি দি এটা পূৰা নিষ্কৰ্ম্মা আৰু স্ফূৰ্ত্তিবাজ ফুলবাবু হৈ পৰিল।

দুখৰ সময়ত মানুহৰ দুখেই আহে। তেওঁৰ হৃদয়ত আকৌ কেনেবাকৈ প্ৰেমবীজ উদ্ভৱ হৈ তেওঁৰ কৰ্ম্মভোগৰ মাত্ৰাটি আৰু এখোপ ওপৰলৈ তুলি দিলে। তেওঁৰ প্ৰণয়িণীৰ নাম আছিল ল'ৰা মাৰ্টিণ। ল'ৰাৰ পিতাক ভাৰতবৰ্ষত সৈন্য-বিভাগৰ এজন কৰ্ণেল আছিল। ভাৰতত থকা কালতে চোকা ৰদৰ তাপত তেওঁৰ প্ৰকৃতি অলপ খিটখিটীয়া হৈ পৰিছিল। দেশলৈ ঘূৰি আহিলতো তেওঁৰ স্বভাৱৰ আৰু পৰিৱৰ্ত্তন নঘটিল। ল'ৰাই হিউগিক বৰ ভাল পাইছিল। হিউগিয়েও ল'ৰাক এনেদৰে ভাল পাইছিল যে ল'ৰাৰ ভৰিত যদি কাঁইট সোমায় তেন্তে তেওঁ তাক দাঁতেৰে কামুৰি উলিয়াই আনিবলৈও সঙ্কুচিত নহয়। তেওঁবিলাকৰ যোৰা তেওঁবিলাকৰ ঠিক মনঃপূতেই হৈছিল। কিন্তু তেওঁবিলাক আছিল নিঃস্ব। কৰ্ণেল হিউগিক যদিও অলপ ভাল পাইছিল, তথাপি বিবাহৰ নাম শুনিলেই টিক্‌চি বিক্‌চি উঠিছিল। মাজে মাজে উপদেশ দিয়াৰ ছলেৰে তেওঁ কৈছিল, "তাৰ কাৰণেনো ইমান ভাবিছা কিয় বোপা? আগেয়েচোন ১০,০০০ মান

পাউণ্ডৰ যোগাৰ কৰা, তাৰ পিছত সিবিলাক হব"। দহোটা পেণ্ডন যোগাৰ কৰা হিউগিৰ পক্ষে কষ্টসাধ্য; দহ হেজাৰ পাউণ্ড তেওঁ পায় কৰপৰা? চিন্তাসাগৰত তেওঁ একেবাৰে ডুব গল। শান্তনা লভিবৰ অভিপ্ৰায়ে তেওঁ মাজে মাজে আহি ল'ৰাৰ লগত আলাপ কৰেহি।

এদিনাখন পুৱা তেওঁ বেজাৰ মনেৰে হলেণ্ডপাৰ্কৰ (যাৰ ওচৰত মাৰ্টিন পৰিয়ালৰ বাসস্থান) ফালে গৈ আছিল। তেনেতে তেওঁৰ বন্ধু ট্ৰেভৰৰ লগত এবাৰ দেখা কৰিবৰ কাৰণে তেওঁৰ ইচ্ছা হল। ট্ৰেভৰৰ ব্যৱসায় আছিল ছবি অঁকা আৰু বিক্ৰী কৰা। আজি-কালি বহুতেই আন কামত অকৃতকাৰ্য্য হলে ছবি আঁকে, কিন্তু ট্ৰেভৰ তেনে চিত্ৰকৰ নাছিল। তেওঁ আছিল এজন প্ৰকৃত শিল্পী। ট্ৰেভৰ দেখিবলৈ সিমান শুৱনি নাছিল, নিপোতল বপু, মুখত চেনি পৰা দাগ, ৰঙচুৱা বৰণৰ ঠৰঙা ঠৰঙা দাঁড়ি। কিন্তু চিত্ৰাঙ্কনত তেওঁ সিদ্ধহস্ত। তেওঁ অঁকা ছবি বজাৰত উচ্চ হাৰত বিক্ৰী হৈছিল। হিউগিৰ সুন্দৰ শাৰীৰিক গঠনেই হৈছিল তেওঁৰ প্ৰতি ট্ৰেভৰৰ আকৰ্ষণৰ প্ৰধান কাৰণ। ট্ৰেভৰে মাজে মাজে কৈছিল "সুন্দৰ সুগঠিত চেহেৰাৰ মানুহবিলাক দেখিলে শিল্পীৰ হৃদয়ত কলানুমোদিত প্ৰীতি জন্মে, যিবিলাকৰ লগত আলাপ কৰি শিল্পীয়ে তেওঁৰ ভাবপ্ৰৱণ হৃদয়ত প্ৰকৃত আনন্দ অনুভৱ কৰে, সেই বিলাক মানুহৰ লগতেই শিল্পীয়ে ঘনিষ্ঠতা ৰখা উচিত। দেখনিয়াৰ পুৰুষ আৰু নাৰীৰ দ্বাৰা জগত নিয়ন্ত্ৰিত হয়, অন্ততঃ হোৱা উচিত।" যি হ'ক হিউগিৰ প্ৰতি ট্ৰেভৰৰ আকৰ্ষণৰ কাৰণ প্ৰথম সূত্ৰপাতত টান হলেও, হিউগিৰ সদানন্দতা, সহৃদয়তা আৰু মানসিক সম্পদে পিছত তেওঁবিলাকক প্ৰগাঢ় বন্ধুত্ব সূত্ৰেৰে আৱদ্ধ কৰে। সেই কাৰণে হিউগিৰ বাবে ট্ৰেভৰৰ চিত্ৰশালাৰ দুৱাৰ সদায় মুকলি আছিল।

হিউগিয়ে আহি ট্ৰেভৰৰ চিত্ৰশালাত প্ৰৱেশ কৰোতে ট্ৰেভৰে এখন জীৱন্ত আকাৰৰ দৰিদ্ৰৰ ছবি আঁকি প্ৰায় শেষ কৰিব লগা হৈছিল। যি আদৰ্শ চাই সেই চিত্ৰখন আঁকিছিল, সেই মগনীয়াটিও তেতিয়া চিত্ৰকৰৰ ওচৰতে এখন চালাপীৰাত থিয় হৈ আছিল। সেই মানুহটো বুঢ়া। তাৰ মুখৰ চাল সোতোৰা সোতোৰ আৰু তাৰ চেহেৰা ডাল দৰিদ্ৰৰ পৰিচায়ক। তাৰ পৰিচ্ছদ একেবাৰে ফটা-ছিটা আৰু মলিন, তাৰ জোতাযোৰাৰ তলিখন বাৰুকৈয়ে ডাঠ আৰু গোটেই জোতাযোৰ টাপলিৰে ভৰা। সি এহাতেৰে এডাল শকত লাঠিৰ ওপৰত ভৰ দি থিয় হৈ আছিল আৰু আনখন হাতেৰে তাৰ জীৰ্ণ টুপীটো ওলোটাই ধৰি ভিক্ষা খুজিছিল।

হিউগিয়ে তাক দেখা পায়েই কৈছিল "কি হুবহু আদৰ্শ।"

হিউগিৰ কথা শুনি ট্ৰেভৰে খল্‌খলকৈ হাঁহি কৈছিল, "ঠিক কৈছা হিউগি, মোৰো সেই মত। এনেকুৱা মগনীয়া বাটে ঘাটে বৰ কমহে দেখা যায়। দৰিদ্ৰৰ প্ৰকৃত প্ৰতিমূৰ্ত্তি! যদি ৰেম ব্ৰাণ্টে (ৰাফেল, মাইকেল এঞ্জেলো প্ৰভৃতিৰ দৰে পৃথিবীত এজন নামজলা চিত্ৰশিল্পী) এনে নিখুঁত আদৰ্শ পালেহেতেন, তেন্তে তেওঁ এখন ছবিৰ দৰে ছবি আঁকি যাব পাৰিলেহেতেন।"

হিউগিয়ে কলে, "আইঐ দেহি, চোৱাচোন ভিকহু বুঢ়াৰ মুখত কি কষ্টৰ চিন ফুটি ওলাইছে! কিন্তু মই বোধকৰোঁ, যে তোমাৰ দৰে শিল্পজীৱীবিলাকৰ ওচৰত এই ভিকহুৰ দুৰ্দ্দশাক্লিষ্ট মুখেই সিহঁতৰ জীৱিকা উপাৰ্জ্জনৰ উপায়।"

ট্ৰেভৰে উত্তৰ দিলে,—"নিশ্চয়, যদি এই দৰিদ্ৰৰ প্ৰফুল্ল মুখ দেখা তেনেহলে তোমাৰ মনটো কেনে লাগিব?"

সেই কথাৰ কোনো উত্তৰ নিদি হিউগিয়ে লাহে লাহে গৈ এখন চকীত বহিল আৰু লাহে লাহে কবলৈ ধৰিলে, "বাৰু এলেন, এখন চিত্ৰৰ কাৰণে আদৰ্শৰ বানচ কিমান?"

"ঘণ্টাত এক ছিলিংকৈ পায়।"

"আৰু তোমালোকে একা?"

"এই ছবিখনৰ কাৰণে মোৰ প্ৰাপ্য দুহেজাৰ"।

"দুহেজাৰ পাউণ্ড"?

"নহয়, দুহেজাৰ গ্যিণী। চিত্ৰকৰ, কবি আৰু

চিকিৎসকে সিইতৰ পাৰিশ্ৰমিক শ্ৰিণী হিছাবেহে পায়।"

"তেনেহলে মোৰ বিবেচনাত এই আদৰ্শৰ তোমালোকৰ লগত এটা চুক্তি থকা উচিত। কাৰণ ছবি ভাল হোৱা বেয়া হোৱাৰ ওপৰত তোমালোকৰ হাত যিমান, চিবিলাকৰ চাই তোমালোকে ছবি আঁকা, চিবিলাকৰ ছাত্ৰো তাতকৈ কোনো গুণে কম নহয়।"

ট্ৰেভৰে অলপ হাঁহি হাঁহি কলে "হয় হয়, ছবি আঁকা তেনেই সহজ কথা বুলি ভাবিছা, আমাৰ কষ্ট কষ্টই নহয়, সকলো কষ্ট সিইঁতবেইহে আৰু আমাৰ পৰিশ্ৰমৰো কোনো মূল্য নাই। চোৱাচোন একে ঠাইতে থিয় হৈ লাহে লাহে তুলী দৰি বং দিওতে দিওতে, হাত ভৰি একোবোৰে জঠৰ হৈ পৰিছে। তোমাবিনো কি? কব লাগে কৈছা, বাৰ যাবলৈ দিয়া সেইবোৰ কথা। তুমি এতিয়া অলপ পৰ মনে মনে বহি চেলেউ হোপা। মই এই ছবিখন শেষ কৰি পেলাওঁ।"

ইয়াৰ অলপ পিছত এটা লণ্ডৰা আহি জনালে যে এজন ছবিৰ ফ্ৰেম ব্যৱসায়ীয়ে ট্ৰেভৰৰ লগত দেখা কৰিবলৈ আহিছে।

ট্ৰেভৰ তেতিয়াই তেওঁৰ লগত দেখা কৰিবৰ কাৰণে গ'ল। যাৱৰ সময়ত ছিউগিক কিন্তু বৰকৈ কৈ গৈছিল, "চাবা ছিউগি নপলাবা আকৌ, মই এতিয়াই আহিছোঁ।"

ট্ৰেভৰ বাহিৰলৈ যোৱাত চিকৰৰৰ আদৰ্শ বুঢ়া ভিক্ষুক যেন মুহূৰ্তৰ কাৰণে অৱকাশ পাই পাছফালৰ চকী এখনত গৈ লাহেকৈ বহিল। সি ইমান কৰুণ দৃষ্টিৰে ছিউগিৰ পিনে চাইছিল যে, তাৰ চকু মুখৰ বিষণ্ণ ভাব দেখি ছিউগিৰ চকুপানী ওলাই পৈছিল। তেওঁ অন্যমনস্কভাৱে নিজৰ জেপত হাত ভৰাই চাইছিল কি আছে। এটা চকাৰিণ আৰু কেইটিমান খিলিং মাত্ৰ ছিউগিৰ সম্বল। তেওঁ মনে মনে ভাবিলে, "এই মুদ্ৰাটিৰ আৰু খিলিং কেইটিৰ আৱশ্যকতা মোতকৈ এই দৰিদ্ৰ ভিক্ষুক বুঢ়াৰ হে বেছি। মই লাগে ১০ ১৫ দিন গাৰী ঘোৱাত মুঠি খোজ কাঢ়িয়েই ফুৰিম।" নিজৰ মনত এইদৰে গুণা-গাঁথা কৰি তেওঁ লাহে লাহে সেই ভিক্ষুক বুঢ়াৰ ফালে আগবাঢ়ি গৈ তাৰ হাততে সেই মুদ্ৰা কেইটি গুজি দিলেগৈ। ভিক্ষুক চমকি উঠিল, এটি ক্ষীণ হাঁহিৰ বেখা তেওঁৰ ম্লান মুখত ফুটি উঠিল। সি কৃতজ্ঞতাপূৰ্ণ দৃষ্টিৰে কলে "ভাইবীয়া ঈশ্বৰে তোমাৰ মঙ্গল কৰোক।"

ট্ৰেভৰ তেনেতে ঘুৰি আহিল। ছিউগিয়ে তেওঁৰ পৰা বিদায় লৈ তাৰপৰা প্ৰস্থান কৰিলে। কিন্তু কব নোৱাৰোঁ কিয়, তেওঁ যেন সেই ভিক্ষুকৰ দান দি অলপ লজ্জিত হৈছিল আৰু শঙ্কা অনুভৱ কৰিছিল। সেইদিনা ওৱৰ দনটো তেওঁ ল'ৰাৰ তাতে কটালে; তেওঁৰ এই অমিতব্যয়িতাৰ কাৰণে ল'ৰাই তেওঁক কৰ্কণাও কৰিলে। অৱশেষত পইছাৰ নাটনিত খোজ কাঢ়িয়েই তেওঁ ঘৰলৈ উলটিল।

সেইদিনা ৰাতি এঘাৰ বজাত ছিউগি পালেট ক্লাৰলৈ গৈছিল। তালৈ গৈ দেখিলে যে ট্ৰেভৰে তেওঁকৈ আগেয়েই আহি ক্লাৰৰ চেলেউ হোপা খোটালিত বহি ধমাধম মদ খাইছে।

ছিউগিয়ে চকী এখনত বহিয়ে ট্ৰেভৰক সুধিলে "এলেন তোমাৰ সেই ছবিখন আঁকি শেষ কৰিলানে?" ট্ৰেভে উত্তৰ দিলে,"আঁকি শেষ কৰাহে নালাগে বাকিও আটাইলৈ। অ' ভাল কথা, তুমিতো আজি বৰ ডাঙৰ পদ লাভ কৰিছা; সেই বুঢ়া আদর্শ ভিক্ষুক তোমাৰ প্ৰতি ভালকৈয়ে অনুৰক্ত হৈ পৰিছে। তোমাৰ বিষয়ে কবা তাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মই লাজ মান কাতি কৰি যে কৰ্ণ প্ৰসন্নত বহুত ভিতৰুৱা কথাও কব লগা হৈছিল—যেন তুমি মানুহটো কোন, ক'ত থাকা, তোমাৰ আয় কিমান, তোমাৰ কি ব্যৱসায়, কি কাম-কাজ কৰিব খোজা ইত্যাদি।"

ছিউগিয়ে আচৰিত হৈ কলে, "কোৱা কি এলেন, এই সকলো কথা তুমি সঁচাকৈয়ে তাক কলানেকি? তেনেহলে আজি ঘৰলৈ যাওঁতে নিশ্চয় সি মোক আকৌ ধৰিব। নহয়, নহয়, তুমি নিশ্চয় মোক ঠাট্টা কৰিছা, মই জানিছোঁ। আই ঐ বেচেৰা! ডাল দৰিদ্ৰ সি, বাস্তৰিকতে দয়াৰ পাত্ৰ! দেহি! তাৰ কাপোৰ-কানিবোৰ ইমান ফটা-ছিটা যে তাৰ গাৰপৰা যেন খহিছে পৰিব, এনেহে মনত লাগিছিল। মোৰ বহুত পুৰণা কাপোৰ আছে, সি যদি লয়, মই তাক সেইবোৰ দিব পাৱো। বেচেৰাই তেও সিদ্ধি তত পাব।"

ট্ৰেভৰে কলে "যি নহক ছিউগি, সেই ফটা পৰিচ্ছদেই কিন্তু মানুহটোক ওজাইছিল। তাক ফ্ৰক, কোট পিন্ধাই দিলে, মোৰ চকুত একেবাৰে অজৰনি হব। তুমি যাক ফটাকানি বুলিছা শিল্পীৰ চকুত সিয়ে স্থান আৰু পাত্ৰ ভেদে সুসঙ্গত; কাজেই সি ৰাজ পৰিচ্ছদতকৈও অধিক মূল্যৱান। আৰু যি বস্তুটক তুমি দৰিদ্ৰ বুলিছা, মই তাক সৌন্দৰ্যাৰ সৰ্ব্বোচ্চ সংজ্ঞাত অভিহিত কৰিছোঁ। বাক তেন্তে মই তোমাৰ এই সৰল ইচ্ছাৰ কথা তাক কম।"

ছিউগিয়ে গহীনভাৱে কলে, "এলেন তোমালোক অৰ্থাৎ কলাৰ মানুহ মাত্ৰেই বৰ কাঠচিতীয়া।"

ট্ৰেভৰে উত্তৰ কৰিলে, "বাস্তৰিক ছিউগি, তুমি যি কৈছা সি সঁচা। শিল্পীৰ মস্তিষ্কই তাৰ হৃদয়। আৰু এটা কথা, আমি সংসাৰক যিমানে চাওঁ, আনকো সেইদেখে দেখুৱাবলৈ চেষ্টা কৰো। প্ৰকৃতিৰ ওপৰত কাল চলাবলৈ আমি চেষ্টা নকৰো। বাৰু সেইবোৰ কথা বাদ দিয়া। তোমাৰ ল'ৰাৰ কেনে এতিয়া তাক কোৱা। বুঢ়া মগনীয়া যে তেওঁৰ কথা শুনিবৰ কাৰণে একেবাৰে ৰাউল।"

ছিউগিয়ে অলপ বিৰক্তভাৱে কলে "সেইবোৰ কি কথা আৰু? তুমি তাৰ আগত হবলা ল'ৰাৰ কথাও কলা?" হাঁহি ট্ৰেভৰে কলে "অৱশ্যে, সি যেতিয়া শুনিবৰ কাৰণে ইমান উৎসুক, তেন্তে নকম কিয়? আটাইবোৰ কথা তাক কৈছো, বুঢ়া কৰ্ণেলৰ কথা, ১০ হেজাৰ পাউণ্ডৰ কাৰণে ল'ৰাৰ লগত তোমাৰ বিবাহ স্থগিত থকা, সেই আটাইবোৰ কথা।"

খতত ছিউগিৰ চকু মুখ বঙা হৈ উঠিল। ক্ৰোধ ভাৱেৰে তেওঁ কলে, "এই ধৰকা কথাবোৰ তাৰ আগত বকা মেলা তোমাৰ একেবাৰে অন্যায় হল বুজিছানে।"

মিচিকিয়া হাঁহি মাৰি ট্ৰেভৰে কলে "বাঃ, তুমি ভুল বুজিছা, যাক তুমি বুঢ়া ভিখাৰী বুলি ভাবিছা তেওঁ কোন

খবৰ ৰাখানে? তেওঁ যুৰোপৰ সৰ্ব্বশ্ৰেষ্ঠ ক্ৰোৰপতি বিলাকৰ অন্যতম। তেওঁ ইচ্ছা কৰিলে গোটেই লণ্ডন চহৰখন কিনিলৈকে কিনি পেলাব পাৰে, আৰু তাৰ দাম দিবৰ কাৰণে তেওঁৰ বেঙ্কত গচ্ছিত টকাই যথেষ্ট' ফুটা কড়ি এটিও দাৰ কৰিবৰ আৱশ্যক নহব। যুৰোপত প্ৰত্যেক দেশৰ প্ৰধান প্ৰধান নগৰতেই তেওঁৰ ৰাজপ্ৰাসাদৰ নিচিনা ঘৰ আছে। সুবৰ্ণে পাত্ৰত তেওঁৰ খাদ্য বন্ধা-বঢ়া হয়। যুৰোপৰ সকলো যুদ্ধ-বিগ্ৰহ, দণ্ড আদিৰ কৰ্ত্তা তেৱেই।"

ছিউগিয়ে চিঞৰি উঠিল, "কি কৈছা তুমি ট্ৰেভৰ, বলিয়া হলানেকি?"

ট্ৰেভৰে কলে "মই কি কৈছোঁ শুনিবা? যি কালিৰ ছবিৰ আদর্শৰূপে চালপীৰাত ভিখাৰীৰ বেশেৰে থিয় দি আছিল তেওঁ কোন? তেৱেই বহু ক্ৰোৰপতি বিখ্যাত বেৰণ হাউছবার্গ—মোৰ এজন বিশিষ্ট বন্ধু। তেওঁৰ যেতিয়াই যি ছবিৰ আৱশ্যক হয়, তাক তেওঁ মোৰ হুডুয়েই, আঁকাই লয়। ভিক্ষুকৰ বেশেৰে ছবি তোলা তেওঁৰ এটা ছখ। কিন্তু এই কথা মই স্বীকাৰ নকৰি নোৱাৰোঁ। যে তেওঁক ভিক্ষুকৰ বেশেৰে অতি সুন্দৰ দেখাইছিল। সেই ভিক্ষুকৰ সাজটো মোৰেই। মই স্পেইন দেশৰপৰা সেই পুৰণা জীর্ণ সাজটো সংগ্ৰহ কৰি আনিছিলোঁ।"

ছিউগিৰ মুখত যেন বজ্ৰপাতহে পৰিল। তেওঁ কিছুপৰ অবাক হৈ থাকি কলে "তেওঁ বেৰণ হাউছবার্গ? কেনে পাপ! মই যে তেওঁক এটা ছডাৰিণ দান কৰিলোঁ।" ইমানকে মাথোন কৈ ছিউগি বিষণ্ণভাৱে চকীত বহিল।

ট্ৰেভৰে হাঁহি হাঁহি চিঞৰি কলে, "ছডাৰিণ দিলা, সি আৰু গ'ল। তাক যে আৰু ঘুৰাই পাবা হৈছে।"

ছিউগিয়ে বিৰক্তিভাৱেৰে কলে, "তুমি কিন্তু মোক অলপ আগেয়েই এই কথা কোৱা উচিত আছিল। তেনে হোৱাহেতেন মই এই মূর্খামি কৰিলোহেতেন কিয়?"

ট্ৰেভৰে কলে, "সঁচাকৈ কৈছোঁ ছিউগি, তুমি যে মোৰ চিত্ৰশালাত সোমাই দানছত্ৰ খুলিবাগৈ তাকতো মই

নাজানিছিলো। বিশেষকৈ, চিত্রশালৰ কোন নিৰ্জ্জন চুকত কোনো সুন্দৰী গাভকক আদৰণ অধৰ চুম্বনৰ মূল্য স্বৰূপে এটি ছভাৰিণ তোমাৰ জেপৰপৰা ওলোৱা মই সম্ভৱপৰ বুলি মানিব পাৰো। কিন্তু এটা বুঢ়া সোতোৱা মুখীয়া ভিক্ষুকৰ কপাল যে এনে দৰে ফলিব, তাক মই সপোনতো ভবা নাছিলো ভাই। আৰু এটা কথা, বেৰণ হাউছবাৰ্গে তাত যি পৰিচ্ছদেৰে আছিল তেনেহলত তাতে তেওঁৰ প্ৰকৃত পৰিচয় দিয়া যুক্তিসঙ্গত নাছিল, তেওঁ হয়তো অসন্তুষ্ট হ'লেহেতেন." হিউগিয়ে কলে– "তেওঁ মোক কি যে মূৰ্খ বুলি ভাবিছে চাগৈ !"

ট্ৰেভৰে কলে "একো নহয়, বৰং তুমি ওচি অহাৰ পিছত তেওঁ আনন্দ অনুভৱ কৰিছিল। আনন্দ তেওঁৰ চকুৰে মুখে ফুটি উঠিছিল। কথাটোনো কি মই তেতিয়া বুজিব পৰা নাছিলো। তেওঁ কিয় তোমাক কাৰণে ইমান আগ্ৰহ দেখুৱাইছে। এতিয়া মই আটাইবোৰ কথা সুন্দৰকৈ বুজিছোঁ। ভয় নকৰিবা ; ভাই, তেওঁ তোমাৰ সেই ছভাৰিণটি, এটা কোনো লাভজনক ব্যৱসায়ত লগাই, ছমাহৰ অন্তৰে অন্তৰে টকাৰ সুদটো তোমালৈ ডাকত পঠিয়াই থাকিব।"

হিউগিয়ে বৰ দুঃখিতভাৱে কলে, "ভাল হৈছে, মই যেনে দুৰ্কপলীয়া মূৰ্খ, তাৰ উচিত শাস্তি হৈছে। এতিয়া অকল নিদ্ৰা দেৱীৰ কোলাত আশ্ৰয় লোৱাৰ বাহিৰে, চিন্তাৰ হাত সাৰিবৰ অন্য উপায় নাই। হক যি ভাই, হব লগা আছিল হ'ল। ট্ৰেভৰ, এতিয়া এই কথা দুৰ্ণাক্ষৰেও কাকো জানিবলৈ নিদিবা। তেতিয়া হলে মই লাজত মুখ উলিয়াব নোৱাৰিম।"

"কিনো বলিয়া হৈছাহে ? লাজ কিহৰ ইয়াত ? ই বৰং তোমাৰ দানশীলতাবেই পৰিচায়ক। সেইবোৰ কথা যাৱলৈ দিয়া। এতিয়াই উঠি ওচি নাযাবা আৰু এটা চেলেঞ্জ অলোৱা আৰু বিমান পাৰা বিমান প্ৰাণ খুলি ল'ৰাৰ গল্প কৰা।"

হিউগিয়ে কিন্তু আৰু ট্ৰেভৰ কোনো কথালৈ মন নিদিলে। তেওঁ আৰু তাত নাথাকিল। ঘণ্ট কবৰ ক্লাৰৰপৰা বাহিৰ ওলাই খোজ কাঢ়ি ঘৰলৈ ওচি আহিল। তেওঁৰ মনত ঘোৰ চিন্তা। কাও দেখি হাঁহি হাঁহি ট্ৰেভৰ পেটৰ নাড়ী ছিগিব লগা হল।

পিছদিনা পুৱা হিউগিয়ে চাহ জলপান খাবৰ কাৰণে মাখোন বহিছে, এনেতে লণ্ডৰাটো আহি তেওঁৰ হাতত এখন কাৰ্ড দিলে। কাৰ্ডত আগন্তুকৰ নাম আৰু পৰিচয় এইদৰে লেখা "মছিঅ' ওস্তেডি লডিন, মছিঅ' ৰি হাউছবাৰ্গৰ ছেক্ৰেটবি"। কাৰ্ডটো পাঠ কৰিয়েই হিউগিয়ে ভাবিলে যে আগন্তুকৰ এই অপ্ৰত্যাশিত আগমনৰ প্ৰয়োজন আন একো নহয় – কালি ট্ৰেভৰ চিত্ৰশালত যে বাহাদুৰিটো কৰিলো, সেই কাৰণে মোক আষাৰচেবেক শুনোৱা। যি হওক, হিউগিয়ে আগন্তুকক ওপৰলৈ আনিবৰ কাৰণে লণ্ডৰাটোক আদেশ দিলে।

চকুত লগোৱা এজন পকা চুগীয়া বুঢ়া লাহে লাহে কোঠালিত সোমাই অলপ ফৰাছী সুৰেৰে কলে, "মই মছিঅ' আৰ্ব্বিনৰ সাক্ষাত লাভেৰে সম্মানিত হৈছোঁ, নহয়নে" হিউগিয়ে মুৰ দোৱাই আগন্তুকক নমস্কাৰ কৰিলে।

আগন্তুকে কলে, "মই বেৰণ হাউছবাৰ্গৰ ওচৰৰপৰা আহিছোঁ, বেৰণে এই—"

আগন্তুকৰ কথা নো শেষ হওঁতেই হিউগিয়ে খটমট খাই কলে,—"ডাঙৰীয়া মই বুজিছোঁ, বেৰণে কিয় আপোনাক মোৰ ওচৰলৈ পঠিয়াইছে। মই মোৰ দুষ্টতাৰ কাৰণে তেওঁৰ ওচৰত অন্তৰ সমৰ্পিতে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

বুঢ়া ডাঙৰীয়াই অলপ হাঁহি হাঁহি কলে, "মই সেইবোৰ একো নাজানো। বেৰণে মোৰ হাতত এইখন চিঠি পঠিয়াইছে আপোনালৈ" এই কথা কৈ, তেওঁ ৰাৰ মোহৰ মৰা এখন চিঠি, হিউগিয়ৰ হাতত দিলে।

চিঠিখনৰ ওপৰতেই স্পষ্ট আখৰেৰে লিখা আছে, "হিউগি আৰ্ব্বিনৰ লগত ল'ৰা মাৰ্টিনৰ শুভ পৰিণয়ত এজন বুঢ়া ভিখাৰীৰ যৌতুক।" চিঠিখন খুলি চাই দেখে এখন ১০ হাজাৰ পাউণ্ডৰ চেক্ !

এই বিবাহত এলেন ট্ৰেভৰ হ'ল দবা ঘৰীয়া। বিবাহ ভোজত বেৰণে নিজে উপস্থিত হৈ দবা কন্যাক আশীৰ্ব্বাদ কৰিলে।

সেই বিবাহ সভাত আমন্ত্ৰিতবিলাকৰ আগত, এলেনে নিজৰ মনোভাব প্ৰকাশ কৰি কলে "ধনীৰ আদর্শ পৃথিবীত বিৰল সঁচা, কিন্তু আদর্শ ধনী তাতোকৈও বিৰল। *

* Oscar Wilde৷ 'Model millionaire' নামে ইংৰাজী গল্পৰপৰা।

অসমৰ সুকীয়া ভেষজ বিদ্যা

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

আৰ্য্যসকলৰ লগে লগে অসমত আয়ুৰ্ব্বেদীয় চিকিৎসাৰ প্ৰচলন হয় ; কিয়নো এই আয়ুৰ্ব্বেদ পদ্ধতি আৰ্য্যসকলৰ দান আৰু চাৰিখন বেদৰ পিছতে তেওঁলোকে ইয়াক ঠাই দিছিল। সেই দেখিয়েই আয়ুৰ্ব্বেদ আৰ্য্যসকলৰ পঞ্চম বেদ। কিন্তু এই আৰ্য্যবসতিৰ অনেক কালৰ আগবেপৰাই অৰ্থাৎ অতি অতীজবেপৰা, আমাৰ দেশত এটি সুকীয়া চিকিৎসা পদ্ধতি চলি আহিছে। সৰ্ব্বসাধাৰণৰ মাজত আৰু বিশেষকৈ আয়ুৰ্ব্বেদিকসকলৰ মাজত এই চিকিৎসা আঞ্চলিক নামেৰেই জনাজাত। আঞ্চলিক নামেৰে এই পদ্ধতিক কিয় অভিহিত কৰা হৈছিল ? আৰ্য্যসভ্যতাৰ সৈতে যাৰ সম্ভাৱ নিমিলিছিল, সেই সকলোকেই আৰ্য্যসকলে ৰাক্ষস, অসুৰ আদি নাম দিছিল। আৰ্য্যৰ ধৰ্ম্মশাস্ত্ৰ বেদ আৰু চিকিৎসাশাস্ত্ৰ আদি ভগৱানৰ স্বয়ম্ভিস্থূত বুলি তেওঁলোকে মানি লৈছিল। এই কাৰণেই তেওঁলোকৰ ধৰ্ম্মবিশ্বাসৰ সৈতে, আচাৰ-ব্যৱহাৰ, জীৱন নিৰ্ব্বাহৰ ধৰণ আদি আৰু সকলো কে ধৰণৈ হলে সভ্যতাৰ সৈতে অমিল থকা অইন জাতিৰ চিকিৎসা পদ্ধতি তেওঁলোকৰ মানত আঞ্চলিক নহৈ হব কি ? এই আঞ্চলিক চিকিৎসাক ঘৃণাৰ চকুৰে এনে বিশাসৰ বশৱৰ্ত্তী হৈ চোৱাটোৱেইহে আৰ্য্যৰ পক্ষে স্বাভাৱিক হেঁতেলে এই পদ্ধতিৰ কোনো কোনো বিষয়ত উৎকৰ্ষই থাকক লাগে। আৰ্য্যসভ্যতাপৰা পৃথক সভ্যতা থকা জাতিক আকৌ দেৱতাই চিকিৎসা-পদ্ধতি দান কৰিবলৈ আহিবনে ? স্বৰ্গ-বৈদ্য যমজ অশ্বিনীকুমাৰ, দেৱাসুৰৰ যুদ্ধত অসুৰৰ হাতত মৃতপ্ৰায় প্ৰাণ দিয়া দেৱতাৰ পুনৰ্জীৱন দাতা দেৱগুৰু বৃহস্পতিৰ মৃতসঞ্জীৱনী বিদ্যা, দেৱাদিদেৱ মহাদেৱে প্ৰিয়ভক্ত লঙ্কাধিপতি ৰাৱণক মদনানন্দ মোদক দান কৰা, চ্যবন মুনিৰ চ্যবনপ্ৰাশ—ইত্যাদি ইত্যাদি কাহিনীবোৰে মন কৰিলেই ওপৰত দিয়া আমাৰ যুক্তিৰ সাৰ ওলাই পৰিব। অসমত আয়ুৰ্ব্বেদৰ জয়ে জয়ে কেতিয়া প্ৰচলন হল ? এই ঘটনাৰ কাল নিৰূপণ কৰিবলৈ হলে অসমত আৰ্য্যৰ প্ৰথম প্ৰবেশৰ দিন ঠাৱৰাবই লাগিব। সেইদিন ঠাৱৰাবলেই অসমত আয়ুৰ্ব্বেদ আৰ্য্যৰ পঞ্চম বেদৰ প্ৰচলনৰ কাল ওলাই পৰিব। কিন্তু অসমৰ সুকীয়া আৰু তথাকথিত আঞ্চলিক চিকিৎসাৰ জন্মকাল নিৰূপণ কৰাটো অসম্ভৱ। কত যুগ যুগান্তৰ, কত মন্বন্তৰৰ আগবেপৰা এই পদ্ধতি অসমত চলি আহিছে এই কথা এতিয়া ঠাৱৰোৱা সাধ্য কাৰ ? আজিৰ শিক্ষিতে আঞ্চলিকো আকৌ এটা চিকিৎসা-পদ্ধতি বুলি তুচ্ছতাচ্ছিল্য কৰি উৰাবেই দিব আৰু তেওঁৰ আগত এই বিষয়ে কিবা উলিয়াবলৈ যোৱাকো আষাৰচেবেক ভালকৈ শুনাই নিদিয়াকৈও নিশ্চয় নাথাকিব।

সেইবোৰ যেই হক এতিয়া চোৱা যাওক এই 'আঞ্চলিক' চিকিৎসাই অসমৰ জন সাধাৰণৰ কেনে উপকাৰত লাগি আছে। পছিমীয়া চিকিৎসা প্ৰণালী আমাৰ দেশত প্ৰচলিত হৈছে যদিও এতিয়াও গাঁৱলীয়া অঞ্চলৰ অত ভিতৰে দুই এখন চিকিৎসালয় দেখিবলৈ পোৱা যায় আৰু সেই কেইখন চিকিৎসালয়ক এপাচি কচু শাকত এটি জালুক বুলি কলেও কেতিয়াও বঢ়াই কোৱা নহয়। এই চিকিৎসালয়বিলাকৰপৰা বাহিৰে কিমান দূৰ উপকাৰ পাইছে সকলোৱে জনা আছে। আজিও গাঁৱলীয়া বাহিৰে এই আঞ্চলিক চিকিৎসাৰে বেমাৰ এজাৰ ওচাই আছে। অসমৰ পৰ্ব্বত-কন্দৰ, হাবি-বননি ঔষধৰ গছৰে ভৰপুৰ। আঞ্চলিক চিকিৎসাত গছ-গছনিৰ পাত শিপা, ছাল আদিয়েই ব্যৱহৃত হয়। এই চিকিৎসাৰ কাৰণে আৱশ্যকীয় গছ-গছনিবোৰৰ কিছুমান আয়ুৰ্ব্বেদ শাস্ত্ৰভুক্ত আৰু কিছুমান নহয়। আয়ুৰ্ব্বেদত যে সেই

অতীজতে সকলো বিধ ঔষধৰ গছ-গছনিয়েই আবিষ্কৃত আৰু ব্যৱহৃত হব লাগিছিল এই কথাৰ একো মানে নাই। যি ধৰণত আয়ুৰ্ব্বেদ চৰ্চ্চা পুৰণি কালত হৈছিল সেই মতেই আজিলৈকে তাৰ উৎকৰ্ষৰ কাৰণে আয়ুৰ্ব্বেদবিদসকলে যত্ন কৰি থাকিলেহেতেন যদি আজি আধুনিক চিকিৎসাৰ অন্তৰ্ভুক্ত ভালেমান গছগছনিৰপৰা আয়ুৰ্ব্বেদ পদ্ধতিত দৰব প্ৰস্তুত হলহেতেন। প্ৰমাণ স্বৰূপে আজি কালিৰ উন্নতিশীল পাশ্চাত্য চিকিৎসা পদ্ধতিত ক্ৰমান্বয়ে বিবিধ পন্থাৰ উদ্ভাৱন আৰু অন্য দেশত প্ৰমাণী দৰববোৰৰ গুণাগুণ বিশ্লেষণ কৰি পছিমীয়া প্ৰণালীত প্ৰস্তুত কৰি তাক অন্তৰ্ভুক্ত কৰাৰ কথাটৈ আঙুলিয়াই থলেই যথেষ্ট হব। এলোপেথি আয়ুৰ্ব্বেদৰ সৈতে আধুনিক চিকিৎসা পদ্ধতিৰ অমিল এইখিনিতে যে উক্ত প্ৰণালী মতে ঔষধ প্ৰস্তুত কৰি বটলত বা টেমাত ভৰাই অবিষ্ট, ৰাৰি, আৰক ইত্যাদি নাম দি সংৰক্ষিত কৰি থোৱা হয় আৰু আধুনিকত তাকে কৰা নহয়। এই খিনিতে এই দেশীয় চিকিৎসাৰ ঘাই অসুচলটো ওলাই পৰে। এটা বেমাৰীক এজোপা গছৰ চালৰ আৰৰ খুৱাব লগীয়া হলে আধুনিক বেজে কি কৰিব? গছ বিচাৰি তাৰ চাল একৰাই আনি খুন্দি তাৰ ৰস উলিয়াই বেমাৰীক খুৱাব। অইন পদ্ধতিৰ চিকিৎসকে বটলপৰা আমুক তামুকৰ একষ্ট্ৰেক্ট বা এছেন্স চালি বেমাৰীক খুৱাব। নিজৰ হাতত নাথাকিলে অইন চিকিৎসক বা দৰবৰ দোকানৰপৰা ঔষধ তেওঁ আনিব পাৰিব। আধুনিক চিকিৎসকৰ সেইখিনি সুবিধা নাই। অৱশ্যে এটা কথা কব লাগিব এইখিনিতে যে আধুনিক বেজে ওপৰত উদ্ধৃকিয়াব দবে ৰস খুৱাঁতেই দৰবৰ ভেষজ গুণ অবিকৃত আৰু অমিশ্ৰিত অৱস্থাতেই বেমাৰীয়ে খাবলৈ পায়। নগৰে বন্দৰে ওপৰত কোৱাখিনিয়েই আধুনিকৰ অসুবিধা। আজিকালি দেশীয় বহুত ভেষজ দ্ৰব্য প্ৰস্তুতকাৰী অনুষ্ঠানে এনেকুৱা দেশীয় দৰবকে পাশ্চাত্য পদ্ধতিত তৈয়াৰ কৰিব লাগিছে। আধুনিক ঔষধাৰলীৰ মাজৰপৰা বাছি বাছি ভালেমান ঔষধ বিজ্ঞানসম্মত প্ৰণালীত উলিয়াই সুচল আৰু সৰ্ব্ব সাধাৰণৰ কাৰণে আজিৰ বাসায়নিক সকলে প্ৰস্তুত কৰি উলিয়াব পাৰে। আমাৰ দেশত তেনে কোনো লোক ওলাবনে?

ওপৰত কৈ অহা অসুচল গাৰলীয়া অঞ্চলত নাই; কিয়নো হাবি বনানিৰে ভৰা আমাৰ এই অঞ্চলবিলাকত বনৌষধি গছ ভৰি আছে। আৱশ্যক অনুসাৰে বেজে আনি কামত খটালেই হয়। কৃতী বেজে অৱশ্যে অতিকৈ দকাৰী আৰু খনাই লাগি থকা গছ-গছনি নিজৰ বাৰীৰ ভিতৰতে কই লয়। কোনো কোনো বেমাৰত আধুনিক বেজৰ ব্যৱস্থা পত্ৰই পাশ্চাত্য শিক্ষাত শিক্ষিত চিকিৎসকৰ ব্যৱস্থাক চেৰ পেলোৱাৰ কথা অসমীয়া বাইজৰ বহুতেই জানে। ১৯১৮ চনৰ ইনফ্লুঞ্জেঞ্জা মহামাৰীৰ সময়ত যেতিয়া একোখন ঘৰ উচ্ছন্ন হৈ যাবলৈ ধৰিছিল তেতিয়া আধুনিক বেজৰ ব্যৱস্থাতে বহুত ব্যাধিৰ কবাল গ্ৰাসবপৰা মুক্তি পোৱাৰ কথা বিবৰি কবলৈ আমাৰ মাজত বহুতো ওলাব। সেই মহামাৰীৰ সময়ত শিৱসাগৰৰ বেজ (অৱসৰ প্ৰাপ্ত পিয়ন) শ্ৰীযুক্ত চন্দ্ৰ কলিকতাক তেওঁৰ নিজ মহকুমাৰ কথাই নকওঁ যোৰহাট, গোলাঘাট, নগাওঁ আদি ঠাইৰ মানুহে মাতি লৈ গৈছিলহি। তেওঁ কি কি গছ গছনিৰে কেনেভাবে এই ইনফ্লুঞ্জেঞ্জাৰ দৰব প্ৰস্তুত কৰে এই কথা অতি গোপনে ৰাখে। তেওঁৰ দৰব খাই ইনফ্লুঞ্জেঞ্জাবপৰা মুক্তি পোৱা বেমাৰীৰ লেখটীত চাই আমি আশাকৰো যে তেওঁ যেন অইন অইন বেজৰ দবে এই দৰবটোও লগতে লৈ নাযায়। শিৱসাগৰত গাঁয়ন গাৰঁত এগৰাকী বেজনী আছিল। তেওঁ ঢুকাবৰ আজি কিছুমান বছৰ হল। তেওঁ শিৱসাগৰত "গুহুকীবাই" নামেৰেই জনাজাত আছিল। তেওঁৰ পুতেকহঁত এতিয়া আছে, কিন্তু আমি নাজানো পুতেক কেজনৰ এজনক নতুবা কোনোবা এগৰাকী বোৱাৰীয়েকক তেওঁৰ দৰব জাতিবোৰ শিকাই যৈ গৈছেনে নাই। যদি নাই যোৱা তেনে ভালেমান বেমাৰৰ প্ৰমাণী দৰব তেওঁৰ লগে লগে অসমবপৰা নোহোৱা হল। মাইকী মানুহৰ বিবিধ অসুখ ওচোৱাত তেওঁৰ হাত অতি পৈণত আছিল। তেওঁৰ দৰব খাই ডাক্তৰ কবিৰাজৰ চিকিৎসাত বিফলমনোৰথ হোৱা আমাৰ চুবুৰীয়া কেইবা জনেও বেমাৰৰ হাত সাবিছে।

গছৰ পাত, শিপা, ছালৰ ৰস, গুৰি—এনেকুৱাবোৰেই "গুহুকীবাই"ৰ দৰব আছিল। বাইৰ এই প্ৰমাণী দৰব বোৰ তেওঁৰ লগতে গলনে এতিয়াও আছে জানিবলৈ আমি সুযোগ পোৱা নাই। এনেকুৱা কত বেজ-বেজিনীয়ে খোপনে বাখি শেহত নিজৰ লগতে বহুমূলীয়া এনে বস্তুবাশি লৈ ওচি গল তাৰ লেখ আছে জানো?

আগৰ দিনত অসমীয়া তিৰোতাবিলাকে স্ত্ৰীবোগৰ আৰু ঘাইকৈ শিশু আৰু প্ৰসূতিৰ চিকিৎসা জানিছিল আৰু পুৰণি চামবসকলে আজিও জানে। লৰা-ছোৱালীৰ অসুখ-বিসুখ হলে আজিৰ দিনৰ দৈৰীৰ দবে আগৰ তিৰোতাই গৃহস্থৰ ডাক্তৰ কবিৰাজৰ ঘবলৈ খোজ নেলোৱাকৈ বাৰিব পাৰিছিল। লৰা-ছোৱালীৰ কাহ হলে কি চেলেকাব লাগে, কিহৰ গুটিবে ভৰণ দিব লাগে, কি গুটিৰ খোলত তেল গৰম কবি দিব লাগে, ইত্যাদি কথা তেওঁলোকে জানিছিল আৰু তেওঁলোকবপৰা বোৱাৰী-জীয়ৰীবোবে শিকি লৈছিল। এইদবে এই বিদ্যা চলি আহিছিল। আজিকালি এই বিদ্যা লোপ পালে। শিৱসাগৰৰ শিক্ষক শ্ৰীযুত বাধিকানাথ শর্ম্মা ডাঙৰীয়াৰ স্বৰ্গীয়া জননী এনেকুৱা বেমাৰ-এজাৰৰ চিকিৎসাত অসমীয়া নাৰীসমাজৰ আদর্শস্থানীয়া আছিল। তেখেতে জনা ঔষধাৰলীৰ শিকা তেখেতৰ কোনো এগৰাকী বোৱাৰীয়েকক গৈছেনে নাই আমি নাজানো। এতিয়া দেখা গৈছে যে এই চিকিৎসা শাস্ত্ৰৰ বিষয়ে অনুসন্ধান আৰু আলোচনাৰ আৱশ্যক হৈ উঠিছে, এই কাৰণেই যে নিটো বেগেবে এই পদ্ধতিয়ে লোপ পাবলৈ আৰম্ভ কবিছে সেইটো গতিয়ে আৰু বছৰ দিয়েকৰ মূৰতে এই পদ্ধতিৰ অনেকাংশই কালৰ বুকুত লয় হৈ নোযোৱাকৈ কেতিয়াও নাথাকে। অৱশ্যে এই কাম হাতত লোৱাটো এজন বিজ্ঞানবিদবহে কাম।

কিছুমান শাকৰ আজা বাৰি পুৰণি চামৰ তিৰোতা সকলে ঘৰৰ কাৰবাৰ অসুখ বিসুখ হলে খাবলৈ আজিও দিয়ে। পৰীক্ষা কবি চালে দেখিব যে এই আজা বৰ্দ্ধা প্ৰত্যেক বিধ শাকেই একোটা বনৌষধি। এসৰৰ অন্তত আগৰ প্ৰসূতিয়ে আজিৰ দবে দাইল নাখাইছিল। বালি বাবৰি, বনজালুক, শুকলতি, গণ্ডামুলা ইত্যাদি শাকৰ আজাহে খাইছিল। আজি-কালিৰ গৃহস্থ ঘৰৰ বোৱাৰী জীয়ৰীইতে এইবোবৰ নামো নজনা হোৱা নাইনে? সমানাধিকাৰ দাবীৰ দিনত আমাৰ এই প্ৰশ্নৰ উত্তৰত হয়তো কোনোবাই কৈ উঠিব—এইবোৰ পুকুষে শিকিছিল নে? আগেয়ে আৰু এতিয়া শিকি লাভনে? যদি নলয় তেনে আমাৰ প্ৰতি এনে বক্ৰ দৃষ্টি কিয়? সেইবোৰ যেই হক এতিয়া এই গছ-গছনিবোৰৰ বিষয়ে অনুসন্ধান কাৰ্য্য হাতত লোৱাৰ সময় একেবাৰে উকলি যায় আৰু ইমানতে কোনো অসমীয়াই কাণযাৰ কবিবনে?



বৈজ্ঞানিক জগত

গোট মৰা আৰু সহজে জুই নলগা পেট্ৰল

আমি এতিয়ালৈকে জানো যে পেট্ৰল এবিধ জুলীয়া বস্তু আৰু ইয়াত অতি সহজে জুই লাগে। নিউ য়ৰ্ক য়ুনিভাৰ্ছিটিৰ এজন প্ৰফেছৰ, ডক্তৰ এডল্‌ফ প্ৰাছিনে ১৬ বছৰ গভীৰ গৱেষণা কৰি এবিধ গোটমৰা আৰু সহজে জুই



ডক্তৰ এডল্‌ফ প্ৰাছিনে পৰীক্ষাগাৰত "নিৰাপদ পেট্ৰল"ৰ গাত গুলী কৰি তাত জুই নলগা প্ৰমাণ কৰি দেখুৱাইছে।

নলগা পেট্ৰল আবিষ্কাৰ কৰিছে। ইয়াৰ নাম ছেফ্‌টি পেট্ৰল (Safety petrol) বা ছলিন (Solene) দিয়া হৈছে। এই পেট্ৰলত গুলী মাৰি দেখা গৈছে যে ইয়াত জুই নালাগে। অইন কি কেৰাহীত থৈ তলত জুই দি তপতোৱাতো ই জুই লাগি নগল। কিন্তু পিছত জুইৰ শিখা লগাই দিয়াতহে লাহে লাহে ইয়াত জুই লাগিবলৈ ধৰিলে। ওপৰৰ ছবি খনত এখন সৰু মটৰ গাৰী এই পেট্ৰলৰ সহায়েৰে চলাই নিয়া দেখুৱা হৈছে। ইঞ্জিনৰ ভিতৰত এই পেট্ৰল থৈ তাত যথেষ্ট গৰম দিলেহে ই বাষ্প হয়।

তাঁৰহীন যন্ত্ৰৰ দ্বাৰা বিমান-পোতৰ গতি পৰিচালনা

আকাশত বিমান-পোত চলাবলৈ হলে, পাইলট বা যন্ত্ৰচালকৰ আৱশ্যক। কিন্তু অলপতে ইংলণ্ডত বিনা পাইলটৰ দ্বাৰা আকাশীযান ওপৰত উৰুৱাই দেখুৱা হৈছে।



'ৰডনী' বোলা জাহাজৰপৰা 'কুয়ীন বী'লৈ গুলী বৰণ

এই কাম ৰেডিঅ' বা তাঁৰহীন যন্ত্ৰৰ দ্বাৰা সাধিত হৈছে। এতিয়া ঘৰৰ ভিতৰত যন্ত্ৰ টিপি থাকিয়েই য'লৈকে ইচ্ছা



গুলীত 'কুয়ীন বী'ৰ পতন আৰু ইয়াৰ উদ্ধাৰৰ বাবে ধ্বংসকাৰী জাহাজৰ দৌৰ।

ত'লৈকে আকাশীযানৰ গতি নিৰ্দ্দেশ কৰিব পাৰি; ঠিক যেন সৰু সৰু লৰা-ছোৱালীয়ে আকাশত চিলাহে

উৰুৱাইছে। কিন্তু চিলা উৰাবলৈ সৰু ৰচীৰ আৱশ্যক, তাঁৰহীন যন্ত্ৰেৰে পৰিচালিত আকাশীযানত কোনো ৰচী



'কুয়ীন বী'ক গুলী কৰি সাগৰত পেলাই দিয়াৰ পিছত পুনৰ উদ্ধাৰ কৰি জাহাজলৈ তোলা হৈছে।

বা তাঁৰৰ আৱশ্যক নাই। ওপৰত দিয়া ছবিখনত দেখুৱা হৈছে যে জুবিলী উৎসৱৰ ঠিক পিছতে ১৭ জুলাই তাৰিখে সমাট পঞ্চম জৰ্জ্জে নিজে ইংলিছ প্ৰণালীত পৰিচালনা কৰা জাহাজ সমূহৰ মাজৰ 'ৰডনী' নামৰ জাহাজ এখনৰপৰা 'কুয়ীন বী' নামৰ তাঁৰ হীন যন্ত্ৰৰ সহায়ত চলা এখন আকাশী যানলৈ ৪·৭ ইঞ্চি বেৰৰ কামানেৰে গুলী কৰা হৈছে। পিছৰ ছবিত দুখন 'কুয়ীন বীৰ' ভিতৰত এখনৰ গাত গুলী লগাত সাগৰত খহি পৰা দেখুৱা হৈছে। দ্বিতীয়খন 'কুয়ীন বী'য়ে আকাশৰ অতি ওপৰলৈ উৰি থৈ ডাৱৰৰ মাজত লুকা-ভুকি খেলি নিজকে গুলীৰ আঘাতৰপৰা ৰক্ষা কৰিছে। আকৌ তৃতীয়খন ছবিত দেখুৱা হৈছে কেনেকৈ 'কুয়ীন বী'ক গুলী কৰি সাগৰত পেলাই দিয়া হল আৰু তাৰ পিছত সাগৰৰপৰা কি দৰে ভাৰোত্তলন যন্ত্ৰৰ দ্বাৰা (Crane) আকাশীযানখন পুনৰ উদ্ধাৰ কৰা হল।

শিল্প কৌশলৰ গৱেষণা

পুৰাতন চিত্ৰবোৰ নতুনকৈ পূৰ্ব্বাৱস্থালৈ আনিবলৈ আজিকালি পৰীক্ষাগাৰত বিশেষ গৱেষণা চলিছে।



ক'ৰ্ট অল্ড শিল্প ভৱনৰ পৰীক্ষাগাৰ। ইয়াত আল্‌ট্ৰা ভায়লেট ৰশ্মিৰ দ্বাৰা পুৰণি ছবি পৰীক্ষা কৰা হৈছে।



ৰঞ্জন ৰশ্মিৰ সহায়ত অস্পষ্ট ছবিবোৰ পুনৰ ফটোগ্ৰাফ কৰি স্পষ্ট কৰিবলৈ সজোৱা হৈছে।

কৰ্টঅল্ড শিল্প ভৱনৰ (Courtauld Institute of Art) নতুন বৈজ্ঞানিক বিভাগ এই গৱেষণাত ৰত আছে। মধ্য যুগৰ হাতে অকা ছবিবোৰ ডাঙৰ ফটোগ্ৰাফ কৰি আৰু আল্‌ট্ৰা ভায়লেট ৰশ্মিৰ সহায়েৰে পৰীক্ষা কৰি

সেই ছবিৰ আও-ভাও (technique) বুজিবলৈ সক্ষম হৈছে। আৰু তাত পূৰ্ব্বৰ জীৱন্ত ৰূপ দি নতুন কৰিব পৰা গৈছে। যিবিলাক ছবি হয়তো সময়ৰ সোঁতত অস্পষ্ট আৰু চকুৰে মনিব নোৱাৰা হৈছে সেইবিলাক ছবি "কোমল", বিন্ধিব নোৱাৰা (non-penetrating) ৰঞ্জন ৰশ্মিৰ সহায়েৰে পুনৰ ফট'গ্ৰাফ কৰি ছবিৰ সকলো অংশ স্পষ্টকৈ দেখুৱাবলৈ সক্ষম হৈছে।



নতুন বৈজ্ঞানিক বিভাগৰ অধ্যক্ষ ডক্টৰ পি. ডি ৰিটচীয়ে এখন পুৰাতন ছবি আল্‌ট্ৰপেক (ultropak) যন্ত্ৰৰ সহায়েৰে পৰীক্ষা কৰিছে।



এখন সৰু ছবি ডাঙৰকৈ তুলিবৰ কাৰণে অণুবীক্ষণ যন্ত্ৰৰ (Microscope) মুখত কেমেৰা সজ্জিত কৰা হৈছে।



সৰু সৰু বস্তুবোৰ বিশ্লেষণ কৰিব পৰা স্পেক্ট্ৰগ্ৰাফ (Spectrograph) নামৰ এবিধ যন্ত্ৰেৰে বং প্ৰস্তুত কৰা এবিধ উপাদান পৰীক্ষা কৰি চাইছে।

বিবিধ

জন্তুৰ আয়ুস

এজন বিখ্যাত প্ৰকৃতি-বিজ্ঞানবিদ ইংৰাজৰ মতে জন্তুবিলাকে তলত দিয়ামতে আয়ুস ভোগ কৰে :—

শহা পহু	৬ বছৰৰ পৰা		৭ বছৰলৈ	
মেকুৰী	১৫	"	১৭	"
কুকুৰ	১৬	"	১৮	"
ভালুক	১৮	"	২০	"
গড়	২০	"	২৫	"
ঘোৰা	২২	"	২৫	"
উট আৰু গৰু	৬০	বছৰলৈ		
কাচ	১১০	বছৰ		
ঈগল বা গৰুও পক্ষী	১২৫	বছৰ		
হাতী	৪০০	বছৰ		
তিমি মাছ	১০০০	বছৰ		

তেজত পানীৰ ভাগ

মতা মানুহৰ তেজত শতকৰা ৭৫ আৰু মাইকী মানুহৰ তেজত শতকৰা ৮০ ভাগ পানী থাকে।

'হিটলাৰ' নাম দিয়া লৰাৰ ভাগ্য !

ইষ্টাম্বুলৰ ওচৰত থকা টাৰ্‌টাছ নামে ঠাইৰ এজন টাৰ্কে জাৰ্ম্মেনিৰ অধিনায়ক হাৰ হিটলাৰক জনাইছে যে তেওঁৰ পৰিয়ালত জন্ম হোৱা এটি সন্তানৰ নাম হিটলাৰ ৰখা হৈছে। এতিয়া জানিব পৰা গৈছে যে হিটলাৰে সন্তানৰ বাপেকক জনাবলৈ তাৰ কন্‌ছাল জেনেৰলক এই বুলি উপদেশ দিছে যে সন্তানটি বুজন হলে যেন জাৰ্ম্মেনিলৈ পঠাই দিয়া হয়। কাৰণ হিটলাৰে এই লৰাটিক পঢ়াই শুনাই ডাঙৰ দীঘল কৰিবলৈ গাত লৈছে আৰু তাৰ বাবে তেওঁ এতিয়াৰেপৰা বেঙ্কত আৱশ্যকীয় টকা জমা ৰাখিবলৈ স্থিৰ কৰিছে। ইতিমধ্যে তেওঁ সন্তানটিৰ বাপেকক কনছাল জেনেৰেলৰ অফিছত কমিশ্যনাৰৰ পদত নিয়োগ কৰি সন্মানিত কৰিলেই !

শকত হোৱাৰ পৰিণাম

আমেৰিকাৰ এগৰাকী মহিলাই এটি শিক্ষকৰ পদৰ কাৰণে আবেদন কৰিছিল। কিন্তু কাম দিয়াৰ আগতে তেওঁক কৰ্ত্তৃপক্ষই ওজন কৰি দেখিলে তেওঁৰ শৰীৰৰ ভৰ ১৮২ পাউণ্ড ! সেইদেখি তেওঁক কোৱা হল যে ৬ মাহৰ পিছত যদি তেওঁৰ ওজন ১৫০ পাউণ্ড কৰিব পাৰে তেন্তে তেওঁক কাম দিয়া হব। কিন্তু দেখা গল ৬ মাহৰ পিছত তেওঁৰ ওজন মুঠেই ২ পাউণ্ডহে কমিল ! বেচেৰীয়ে উপায় নাপাই নিউ য়ৰ্ক ষ্টেটৰ শিক্ষা বিভাগৰ কমিশ্যনাৰলৈ আবেদন কৰিলে। তেওঁ আকৌ পৰীক্ষক বৰ্ডৰ প্ৰেছিডেণ্ট মিঃ হেন্‌ৰি লেভিক এই বিষয়ে তেওঁৰ অভিমত জনাবলৈ কলে। মিঃ লেভিয়ে উত্তৰত কলে যে শকত আৱত মানুহে চিৰিত উঠা-নমা কৰিবলৈ টান পায়, ক্ষিপ্ৰ গতিত চলন ফুৰণ কৰিব নোৱাৰে, ব্যায়াম শিকাবলৈ কষ্টবোধ কৰে, বাধ্যতামূলক পেন্সন দিবলৈও এওঁলোকক লৈ মস্কিলত পৰিব লাগে। তাৰ উপৰিও এই ভীমাকায় মানুহবোৰ সৌন্দৰ্য্যৰ ফালৰপৰা দেখিবলৈও আপচু। সেই দেখি এই শকত মহিলা গৰাকীক কাম দিব পৰা নগল !

আমোদ-প্ৰমোদত ব্যয়

আমেৰিকান লে'জাৰ লীগৰ অলপতে প্ৰকাশ হোৱা ৰিপৰ্টমতে অকল আমেৰিকাতে আমোদত ৮০০,০০০,০০০ পাউণ্ড বা মোটামোটি ৯৬০ কোটি টকা খৰচ হয়।

পৃথিবীৰ পোক-পৰুৱা

পোক-পৰুৱাবিলাক খেতিয়কৰ প্ৰধান শত্ৰু। যোৱা বছৰ ইংলণ্ডত ১৫,০০০ বিধ পোক-পৰুৱা নতুনকৈ আৱিষ্কাৰ কৰা হৈছে। এই বিলাক ধ্বংস কৰিবলৈ নানা দেশৰপৰা বৰলৰ আমদানী কৰিছে। পৃথিবীত পোক-পৰুৱা আৰু মাখি আদিৰ সংখ্যা ইমান বেছি যে জগতৰ সকলো জন্তু জুখিলে যিমান গধুৰ হব এই পোক-পৰুৱাবোৰ জুখিলে তাতকৈ অনেক গুণে বেছি গধুৰ হব !

অষ্ট্ৰিচ চৰাইৰ কণি

অষ্ট্ৰিচ নামে এবিধ চৰাইৰ কণিৰ ওজন ডেৰ সেৰতকৈও বেছি। বা ই ওজনত ২৫ টা কুকুৰা কণিৰ সমান !

বছৰত টেলিগ্ৰামৰ ভিৰ

গোটেই বছৰৰ ভিতৰত জুলাই, আগষ্ট আৰু ছেপ্টেম্বৰ মাহত ডাক-ঘৰত টেলিগ্ৰামৰ ভিৰ বৰ বেছি হয়। আটাইতকৈ কম টেলিগ্ৰাম হয় ফেব্ৰুৱাৰি মাহত।

মানৱ শক্তিৰ নমুনা

এলেক্স এণ্ডাৰছন নামৰ ২৪ বছৰীয়া এজন শিল্পীয়ে ৬ জন আৰোহীৰে সতে একেলগে বন্ধা তিনিখন মটৰ গাৰী জৰি লগাই দাঁতেৰে কামুৰি ৩২ ইঞ্চি দূৰলৈ টানি নিয়া বুলি দাবী কৰিছে। এই গাৰী কেইখনৰ ভৰ আছিল ৩ টন, ৪ হণ্ডৰ আৰু ৪ পাউণ্ড !

লণ্ডন পশুশালা

লণ্ডন যু (Zoo) বা পশুশালাত বছেৰেকত ১,৬৪০,০০০ দৰ্শকৰ সমাগম হয় !

ভগামূৰ জোৰা লগোৱা

ৰাছিয়াত এটা কুলীয়ে খনিত কাম কৰি থাকোতে অকস্মাৎ পৰি তাৰ মূৰৰ লাওখোলাটো ভাগি ৫০ ডোখৰ হয়। ফলত তাৰ ডিঙিৰ তলৰপৰা বাওঁ ফালৰ শৰীৰত পক্ষাঘাত বেমাৰ হয়, আৰু তেজ চলাচল

বঙ্গ হোৱাত মানুহটো কণা হয়। কিন্তু বাহিৰাব এখন ডাঙৰে তাব মুখৰ হাড়বোব এডাল এডালকৈ গোণা যি দুদিনৰ পিছত মানুহটোক সম্পূর্ণ আবোগ্য কবে!

বিমান-পোত নির্ম্মাণকাৰীৰ পুৰস্কাৰ

ফৰাকী গভৰ্ণমেণ্টৰ বিমান বিভাগৰ মন্ত্ৰীয়ে এম মেথই নামৰ এজন ইঞ্জিনিয়াৰক এখন অতি বেগী আৰু শক্তিশালী আকাশীযান নিৰ্ম্মাণ কবাৰ কাবণে তেৱ হেজাৰ পাউণ্ড বা এক লাখ ছাপন্ন হেজাৰ টকা পুৰস্কাৰ দিছে। এই আকাশীযানখনৰ শক্তি এহেজাৰ ঘোৰা শক্তিৰ সমান আৰু ই ঘণ্টাত ২৮৯ মাইল গতিত উৰিব পাবে!

চাহ ভজন

আমেবিকাৰ এজন বৈজ্ঞানিকে কৈছে যে স্বাভাবিক বা গড় ওজনৰ এজন মানুহে শবীৰ বা পেটৰ একো অহৰ নোহোৱাকৈ দিনে ৪০ কাপ চাহ খাই হজম কবিব পাবে।

এটা আচবিত ভাটৌ

শ্ৰীনগৰৰ এটা পাঠানৰ ভাটৌ এটা আছে। এই ভাটৌটোৰ ইমাৰ জাতিৰ ভিতৰত অতি চকুৰ আৰু মূল্যবান বুলি ঘোষিত হৈছে। ই কেবাটাও মৃত ভাষা, যেনে আবৰী, পাৰ্ছী ষচ্ছন্দে কব পাবে। দুৰ কামোবাৰি আৰু বিষৰ কাৰণে ঔষধৰ ব্যৱস্থা দি এই ভাটৌটোৱে বহুত দৰ্শকক আচবিত কবিছিল। ই কোবাণ ছবিফৰ কোনো অংশ অতি স্পষ্টকৈ মুখস্থ ধাব পাবে। এতিয়াহৈকে এই ভাটৌটোৱে তাব নিজপুৰা, স্পষ্ট উক্তি আৰু ঠাওঁ মেহাবৰ বাবে বহুত ছার্টিফিকেট বা প্ৰশংসা পত্ৰ লাভ কবিছে।

চিব যৌৱনৰ চিব নন্দন কানন

—শ্ৰীযুত ককণাকান্ত গগৈ

কবিতা—

আহি যিবিবাবি! তোমালতে নোহে মোব
মাত্ৰ দুদিনৰ পবিচয়, জনমে
জননে কতকণে তোমাব বুকুতে
কবিছো বিহাৰ আহি। আকণ্ঠ কবিছো
পান মৰ্ত্ত্যৰ অমৃত, স্মৃতি তাৰ
চিবদা আছে মোবৰ আখবে বিস্তৃতি
বুকত। যিফালেই চাওঁ, দেখা পাওঁ
পবিচিত সকলোটি, আপোন ভাবিয়ে
আহে মোৰ কাষলৈ ব্যগ্ৰ বাহু মেলি,
কাণে কাণে কয় কত বিশ্বত-কাহিনী
অন্তৰৰ গুপ্ত কথা হিয়া উদহাই;
বুজি বা মুদুহি, চিত হয় পুলকিত।
মোটমীয়া কিবীটিবে তোমাব শিবত
পুন্নাই ফাল্গুন বং উনহি পুবাতে
দেখা বিচে সাধাবণেই বিবা জ্যোতিশ্মৰ,
হঠাতে শিহবি উঠে গোটেই অন্তৰ
স্মবি কত যুগ-যুগান্তৰ স্মৃতি,
চিব নতুনত দেই পুবণি কলীয়া
ভানুৰ উদয়।
কোনোকত ভাহি যাব
দেউহা ধবণি, শ্যামল শিবত তব
ৰূপালি মেঘেবি খেলি যায় চিকিমিকি,
এনে ভাব হয়—জিলিমিলি ছেউতিবে
গলিত ৰূপৰ এক বিশাল সাগব
চকস ভঙ্গীবে নাচে চকুৰ আগত:
কিবে শোভা মনোলোভা বৰ্ণনা অতীত।
মলয়াত ৰাই আহে ফুলৰ সুবভি;
কত মধুৰবসুৰ মধুৰ মিলন,
কত নবা শোঁতালিব সংযোগৰ গথ,
মাজৈ মাজতি লতা—তাৰ আঁৰে আঁৰে পবা
অন্তৰৰ কথা,—সেই ৰঙা পবা মুখ,
সকলোটি হৈ মূৰ্ত্তিমান নিছে দেখা
অন্তৰত পলকে পলকে। অহে অহে
কতনাক পাহিছিলা ভাল—প্ৰাণভৰি,
কত হাঁহি কত অশ্ৰু, মান অভিমান,
কত হৰ-বিষাদৰ হেকৰা স্মৃতিয়ে
সৃষ্টি কবে আনন্দৰ চিব মন্দাকিনী,
সি অন্তঃসলিলা ফল্গু পাবেনে অকাব?
কোৱা শুনো, দুদিনীয়া মানৱ জীৱন;
কিন্তু মোৰ এনে অনুভূতি—এই প্ৰাণ
অক্ষয় অব্যয়, দেহাৰ মৃত্যুত নাই
ইয়াৰ মৰণ। মৃত্যুৰ পিছতো
লভি নব কলেবৰ নব দেহ লতা
তোমাৰ বুকুতে আহি কবিম বিহাৰ,
সংসাৰৰ ক্ষণস্থায়ী যত সুখ-দুখ
বিবহ মিলনে, ধবা বিব নব ছন্দে;
নতুন আনন্দে প্ৰাণ কবিব আকুল।
আহি যিবিবাবি! তুমি মোৰ সংগোপন
ধন;—তুমি মোৰ চিব যৌৱনৰ চিব
নন্দন কাননা।

ছদ্মবেশী

দ্বিতীয় খণ্ড

দ্বিতীয় আধ্যা

উপন্যাস—

—শ্ৰীযুত শান্তিৰাম দাস, বি-টি

খৰ্ণৰ বিপদ আশঙ্কা

লেডি ইছাবেল কাৰ্লাইলে ভঙ্গস্বাস্থ্য আৰু যৌৱন লাভ কবি ঘৰলৈ উত্তলিল নিজৰ লবা-ছোৱালীৰ ওচৰলৈ, মিবিয়েকৰ বাহৰ মাজলৈ। সুখ সম্ভোগত মন-প্ৰাণ ঢালি সুখৰ সপোনত দিন নিয়াবলৈ ধবিলে। কিন্তু নিমানে দিন যায়, নিমানে তেওঁৰ মনত কিবা এটা কুভাব জাগি উঠিল—তেওঁবিলাকক যি ভাল পাইছিল—আটায়ে মবি ঢুকাল। তেওঁহে অকলে জীয়াই থাকিল। বৰ দুখ লগা পবিতাপৰ কথা!

এই কু ভাবে ইছাবেলৰ মনত দ-কৈ শিপালে—প্ৰবল মূৰ্ত্তি ধবি। তেওঁ যিমানে লেডিছনৰ কথা নাভাবিবলৈ বা পাহবিবলৈ চেষ্টা কবিলে সিমানে তাৰ কথা জলজল পটুবাইটকৈ সজাগ হৈ উঠিল; তাক কোনো বকমে মনবপবা আঁতবাব নোৱাবিলে। একো বাৰ ভাবিলে এবাৰ মাথোঁ এদিনৰ বাবে, এক'টাৰ বাবে, এক মিনিটৰ বাবে লেডিছনক দেখা পালে তেওঁৰ হিয়া শাঁত পবিব—চিবকাললৈ আৰু নাভাবে। ইছাবেলৰ মন-বাজ্যৰ দুৱাৰ-ডলিত—লেডিছনৰ ছাঁ ঘুবিবলৈ ধবিলে—দিনত চকুৰ আগত, বাতি সপোনত। এয়ে হ'ল ইছাবেলৰ প্ৰথম সৰ্ব্বনাশী বোগ।

এদিন বাতিপুৱা কাৰ্লাইল কেপ্তেন লেডিছনৰ বুঢ়া বাপেক মিঃ লেডিছনৰ ওচৰলৈ গ'ল—কেপ্তেন লেডিছনৰ বিষয়-সম্পত্তিৰ অংশৰ বিষয়ে কথা-বতৰা হবলৈ। বুঢ়াৰ লগত কথা-বতৰা হ'ল—মোকৰ্দ্দমা সমিল-মিল হোৱাত বুঢ়া মাস্তি হ'ল; কথা থাকিল কেপ্তেন লেডিছনে নিজে আহি আৱশ্যকীয় কাগজ-পত্ৰত দস্তখত কবিব লাগে;

কাৰণ বুঢ়া চাবি-পাটীবপবা উঠিবই নোৱাবে। লেডিছন আহিলে কাৰ্লাইলৰ ঘবতে অতিথি বৰহি এই বুলি ঠিক কবি তাক দিন বাৰ দি মাতি পঠোৱা হ'ল। কাৰ্লাইলে বিদায় ললে। ঘবৰপবা ওলাই আহোঁতে বুঢ়াৰ নতুন গৃহিণী মিছেছ লেডিছনে লগ পাই সুধিলে, "কি কাবণে আহিছিলা, মিঃ কাৰ্লাইল?"

"কেপ্তেন লেডিছনৰ বিষয়-সম্পত্তিৰ অংশৰ বিষয়ে কথা হবলৈ?"

"কি হ'ল?"

"মিটমাট কবা হ'ব—তাক মাতি পঠোৱা হ'ল।"

মিছেছ লেডিছনে হুমুনিয়াহ কাঢ়ি সুধিলে, "বাক, সি আহিলে ক'ত থাকিব? মোৰ ইয়াত হলে সি থাকিব নোৱাবে।"

"ইষ্টলিনিত মোৰ ঘবতে থাকিবহি; সি ইছাবেলৰ মিতিৰ হয়।"

মিছেছ লেডিছন চক খাই উঠিল। কলে, "তেন্তে সাৱধান হবা, মিঃ কাৰ্লাইল। চাবা যাতে সি তোমাৰ আতিথ্য অকৃতজ্ঞতাৰে পবিশোধ কবিবলৈ সুবিধা নাপায়। তাৰ সেইটো জন্মগত স্বভাব।"

কথা ক'ণি কাৰ্লাইলে হাঁহিলে। "সিনো কি কবিব? দুদিন থাকি ওচি যাব।" মিছেছ লেডিছনেও হাঁহিলে আৰু কলে, "তোমাৰ ঘবত বোধ হয় খেলাব বস্তু একো নাই—থাকিলে সি এখেল মাবিহে যাব, মনত বাখিবা। অলপ ওংসুত্ৰ পালেই সি বিল্লা নিদিয়াকৈ ফিবি যৌৱা বিধৰ মতা নহয়।"

কাৰ্লাইল ঘবলৈ আহিল। এদিন বাতি ইছাবেলক

আদৰ কৰি সুধিলে, "ইছাবেল ঘৰলৈ অতিথি অহা ভাল, নহয়নে ?"

"হেয়া নহয়। কেলেই ?"

"কাইলৈ তোমাৰ বন্ধু কেপ্তেন লেভিডন আহিব।"

"কোন ?" ইছাবেল জাপ মাৰি উঠিল।

"কেপ্তেন লেভিডন, ইছাবেল। বুঢ়া বাপেকৰ লগত সম্পত্তিৰ ভাগ লৈ কিবা কাজিয়া লাগিছে। তাকে মিটমাট কৰিবলৈ আহিব। আমাৰ ঘৰত ২৪ দিন থাকি যাব।"

কথা শুনি ইছাবেলৰ মুখত বজ্ৰ পৰিল—জ্ঞান লোপ পালে। প্ৰথমতে ভাব হ'ল "বসুমতী, ফাট দিয়া বসাতলৈ যাওঁ।" দ্বিতীয়তে ভাবিলে, লেভিডনক তেওঁৰ ওচৰলৈ কিয় মাতি আনিলে ? সাপক গাখীৰ খুৱাবলৈ ? ছিঃ !"

কাৰ্লাইলে লেভিডনৰ ছবৰহাৰ বিষয়ে ভাতি-পাতি কলে। শেহত ইছাবেলে কলে, "আঁকৰল, লেভিডনক ইয়াত থাকিবলৈ দিবৰ ইচ্ছা নাই।"

"নালাগে, ইছাবেল। চুদিন থাকিয়ে ওচি যাব।"

"হব পাৰে ; কিন্তু সি আমাৰ ঘৰলৈ কিয় আছে ?"

"ময়ে মাতিছোঁ। তোমাৰ অমত বুলি জনাহেতেন, নামাতিলোঁহেঁতেন ; তুমি কেনেই বেয়া পোৱা ?"

"মোৰ লেভিডনক ভাল নালাগে অৰ্থাৎ সি ইয়াত থকাটো ভাল নাগাগে।"

"এতিয়া আৰু উপায় নাই, ইছাবেল। সি কাইলৈ এইখিনি পাবহি—সি এতিয়া ৰাটত।"

"কাইলৈ ? সি কাইলৈ আহিব ?" ইছাবেল উদাস হৈ উঠিল।

"সি কি দোষ কৰিছে ইছাবেল, যে তুমি বেয়া পোৱা। বলোগানত থাকোতে মোক একো কোৱা নাই কিয় ?"

"সি মোৰ একো কৰা নাই" বুলি ইছাবেল মনে মনে থাকিল ; কাৰণ তেওঁ জানে যে মিছামিছিকৈ তৰ্ক কৰিলেও কাৰ্লাইলৰ লগত নাপাটে।

কিছু সময় কিবাকিবি ভাবি থাকি থিবিয়েকৰ কাষলৈ আহি গালধন তেওঁৰ কাঙ্কতে থৈ সেই ভাঁজে থাকিল। কাৰ্লাইলে ভাবিলে ভাগৰ লাগিছে থাকক। ইছাবেলে অন্তৰৰ তয়া-ময়া মুঁজত তৎ নাগাই সেই পিনে চলি পৰিল।

পিছদিনা কেপ্তেন লেভিডন আহিল। কাৰ্লাইলে তাক আদৰি আগবঢ়াই আনিলেগৈ ; কিন্তু ইছাবেলে তাত যোগ নিদিলে বান্ধীজনীৰ অসুখ হোৱা বুলি কৈ।

ইপিনে ৰেষ্টেলিনিত জাষ্টিছ হেয়াৰৰ ঘৰত হেয়াৰ দম্পতী আৰু বাৰবাৰাৰ ফুচ্-ফাচ্ মেল আৰম্ভ হ'ল। বাতি হোৱাৰ দম্পতীয়ে এটা বৰ বেয়া সপোন দেখিছিল। সেই-দেখি বাতিপুৱা আমন-জিমনকৈ বহি থকাত জীয়েকে সুধিলে—"আই, তোমাৰ আকৌ অসুখ হল নেকি ? কালি গধূলি দেখো গা ভালে আছিল ? বাতিৰ ভিতৰতে এনেকুৱা হ'লনে ?"

মিছেছ হেয়াৰে চাৰিও ফালে এবাৰ চকু ঘুৰাই (কোনোৱাই শুনিব বুলি) জীয়েকক ফুচ্-ফাচ্ই কলে—"আইটি, মোৰা বাতি মই এটা বৰ বেয়া সপোন দেখিছোঁ।"

"কি সপোন, আই ?"

"বৰ বেয়া সপোন বাৰবাৰা, সেই পুৰণি কথাৰ সপোন।" তেওঁ চকুলো টুকিবলৈ ধৰিলে।

"বৰ বেয়া সপোন, আই ?"

"আহা ! বাছা, বৰ বেয়া সপোন। মই দেখিলো যেন ছেভিজনৰ আছল হত্যাকাৰীজন ৰেষ্টেলিনিলৈ আহিছে আৰু আমাৰ লগত কথা বতৰা—"

এনেতে জাষ্টিছ হেয়াৰ ভিতৰলৈ সোমাই আহিল, কথা বন্ধ হ'ল। তিনিওজনে বাতিপুৱাৰ জ-জলপান চাহ-কফি আদি খালে। জাষ্টিছ হেয়াৰ ফুৰিবলৈ ওলাই গ'ল। মিছ বাৰবাৰাই আৰম্ভ কৰিলে, "তাৰ পিছত কি হ'ল আই ? তুমি বিচাৰক সপোন দেখিছিলা, নহয়নে ?"

"ঠিক বিচাৰক দেখা নাই, বাছা। কিন্তু সি ইয়ালৈ আহিব নোৱাৰি যেন অনাই-বনাই মূৰি ফুৰিবলৈ ধৰিছে। বহুবছেৰেক আগেয়ে সি গোপনীয়ভাবে দেখা কৰি আমাৰ আগত সি কৈছিল মনত আছেনে ? সি কৈছিল যে সি আছল হত্যাকাৰী নহয়—আন এজনহে।"

"এবা আই, মোৰো মনত আছে।"

"বাৰবাৰা, মোৰ বিশ্বাস সি ঠিক কৈছিল ; মই তাক সম্পূৰ্ণ বিশ্বাস কৰিছোঁ।"

"মোৰো তেনেকুৱাই বিশ্বাস।"

"মই তাক বাৰে বাৰে সুধিছিলোঁ অটত্ৰে বিডেল হত্যাকাৰী হ'নে নহয় ; কাৰণ বিডেলৰ ওপৰত সন্দেহ উলজিছিল। সি কৈছিল যে অটত্ৰে বিডেল নহয় আন এজন অচিনা মানুহছে। বাৰবাৰা, মই সপোনত দেখিলোঁ যে এজন অচিনাকি মানুহ ইয়াকে আহি আমাৰ লগত কথা পাতিছিল। আমি তাকেই আছল হত্যাকাৰী বুলি জানিছিলোঁ, কিন্তু সি স্বীকাৰ নকৰিলে। সি সকলো দোষ বেচেৰা বিচাৰকৰ ওপৰত দিব খুজিছিল। মই তাক মঁচাকৈয়ে দেখা যেন পালোঁ, বাৰবাৰা। মই তাক দেখিয়েই ভয় পালোঁ আৰু পিছ মুহূৰ্ততে সাৰ পালোঁ।"

"সেই অচিনাকি মানুহজন কেনে আছিল, আই ?"

"মনত নাই, আইটি, সপোনৰ লগতে সকলো পাহৰিলোঁ; মানুহজনে ভদ্ৰলোকৰ সাজ-পাৰ পিন্ধা যেন পালোঁ। বাৰবাৰা, এনেকুৱা সপোন দেখা কিবা ভবিষ্যৎ বিপিনিৰ চিন নহয়নে ? বোধহয় সোনকালে এই হত্যাকাণ্ডৰ বিষয়ে কিবা কথা ওলাব।"

"অনুহজন ওখনে ? তাৰ চুলিবোৰ ক'লানে ?"

"সপোনৰ লগতে সকলো পাহৰিলোঁ আইটি ! বোধহয় ওখ ; কাৰণ সি বহি আছিল আৰু পিছফালে বিডেল থিয় হৈ আছিল আৰু বেচেৰা বিচাৰ্ড কোনোবাই দেখিব বুলি ৰহিত লুকাই আছিল। বাৰবাৰা, সপোনৰ কথাবোৰ এনে বাৰিষাৰকৈ দেখিলোঁ। ঠিক দিঠক যেনহে লাগিল। সাৰ পাই উঠিও পাহৰিব পৰা নাই। ৰেষ্টেলিনিলৈ আহি যেন সেই হত্যাকাৰীজন ঘুৰি ফুৰিব ধৰিছে ; আহা ! বাৰবাৰা, কাহানি এই অশান্তিৰ অন্ত পৰিব ! ছবৰ পিছত বছৰ অতীত হ'ল। বেচেৰা বিচাৰ্ড বনবাসত ! বাছা, বিচাৰ্ডৰ ঘৰৰ পাৰলৈ আৰু তাক এবাৰ চাবলৈ মন পাগল হৈছে—সাত বছৰ হলহি তথাপি তাৰ কোনো সন্ধান নাই !"

জাষ্টিছ হেয়াৰ ভিতৰ সোমালহি। তেওঁ কলেহি যে ইষ্টলিনিত কাৰ্লাইলৰ ঘৰত জেছিৰ ভৰি এখন ভাগি হাহাকাৰ। জেছিক আটায়ে ভাল পায়, ঘৰৰ শুনি মিছেছ হেয়াৰে বৰ দুখ কৰিলে আৰু পাৰিলে, যদি গা ভাল থাকে, তেন্তে গধূলিকে এবাৰ ঘৰৰ লৰলৈও যাব বুলি জাষ্টিছ হেয়াৰৰ অনুমতি ললে।

ইষ্টলিনিলৈ ফুৰিবলৈ যোৱাৰ কথা শুনি বাৰবাৰাৰ হিয়া নাতনৰ যেন লাগিল—পুৰণি কথা জাগি উঠিল। যাৰ মুখখন দেখিবৰ বাবে, যাৰ হাতখন ধৰিবৰ বাবে ইমান ব্যাকুল, তেওঁৰ ওচৰলৈ যাবগৈ। তাই মনৰ উলাহতে নাচি নাচি ধূনীয়া সাজ-পাৰ পিন্ধি সময়ৰ আগেয়ে সাজু হৈ থাকিল।

আবেলি মাক-জীয়েক দুয়ো ইষ্টলিনিলৈ যাত্ৰা কৰিলে। মিছেছ হেয়াৰৰ গা ভাল নাছিল শুনে বৰ কষ্টেৰে খোজ কাঢ়ি গধূলি কাৰ্লাইলৰ ঘৰত উপস্থিত হলগৈ। মিছেছ হেয়াৰক যোৱা দেখি কাৰ্লাইলে আদৰি-সাদৰি আগবঢ়াই নিলেহি। ভিতৰলৈ গৈ বহিলত মিছেছ হেয়াৰক, কাৰ্লাইল, ইছাবেল, কৰ্ণেলিয়া—আটায়ে বেঢ়ি ধৰিলে আৰু হাঁহি-মিলি বৰ আনন্দেৰে কথা-বতৰা পাতিলে। ইছাবেলে মিছেছ হেয়াৰৰ লগত কথা পাতি বৰ ভাল পাইছিল ; তেওঁলোক জুয়ে নানা ৰকম কথাত মগ হ'ল।

কেপ্তেন লেভিডন ওচৰৰ মেজ এখনৰ কাষত বহি আছিল। সি তেওঁলোকক, বিশেষকৈ বাৰবাৰাক দেখি নিজে নিজে কৈ উঠিল, "এওঁলোক কোন ? যেন হওক—বৰ সুন্দৰী ছোৱালীজনী।" সি ক্ৰমে তেওঁলোকৰ ওচৰ চাপিল। ইছাবেলে তেওঁলোকৰ চিনা-পৰিচয় কবি দি কলে, "মিছেছ হেয়াৰ আৰু মিছ বাৰবাৰা, কেপ্তেন লেভীডন।" সি তেওঁলোকক অভিবাদন জনালে আৰু দুই চাৰি আষাৰ কথাও সাল-সনমি কৰিলে। অলপ পিছতে লেভিডন তাৰপৰা অন্তৰ্দ্ধান হ'ল।

হেয়াৰ দম্পতীয়ে শুনা সুতুনাকৈ কাৰ্লাইলে বাৰবাৰাৰ ফালে চাই কলে, "বাৰাৰ বৰ অসুখ হৈছিল চাগৈ বাৰবাৰা ! আগেয়ে তেওঁক ভাল দেখিছিলোঁ—কিন্তু আজি দেখোঁ অৱস্থা একেবাৰে কাহিল।"

"আজি ইথান দুৰ খোজ কাঢ়ি অহা বাবে কিছু বেছি

হৈছে। কিন্তু কি কাৰণে আইৰ আকৌ অসুখ হৈছে জাননে ?"

"নাজানো, কিহবপৰা ?" তেওঁলোক দুগো লাহে লাহে ঘৰবপৰা এথোজ দুথোজকৈ ওলাই আহিল। বাৰবাৰাই কলে, "তেওঁ মোৱা ৰাতি এটা বৰ বেয়া সপোন দেখিছিল। সেই সপোন দেখিবৰপৰা তেওঁৰ গা বৰ বেয়া হৈ উঠিছে।

"কি সপোন দেখিছিল ?"

"বৰ বেয়া সপোন, কার্লাইল। তেওঁ দেখিছিল যে হেলিজনৰ আছল হত্যাকাৰীজন ব্রেষ্টলিনিনৈ—আমাৰ ঘৰলৈ আহিছিল আৰু আমি তিনিও বোলে সেই হত্যাকাণ্ডৰ বিষয়ে নানা কথা পাতিছিলোঁ। তেওঁ আচৈ মাতিলে আৰু বিচাৰ্ডৰ ওপৰত সমুদায় দোষ জাপি দিলে। তাৰ পিছতে তেওঁ বিডলকৰ ইঙ্গিত দি ওলাই গ'ল। বৰ আচৰিত সপোন, কার্লাইল !" বাৰবাৰা আৰু কার্লাইলৰ মাজত, হেহাৰ দম্পতীৰ সপোন, কেপ্তেন গৰ্ণৰ ব্রেইলিনিত উপস্থিতি, আৰু হেলিজনৰ হত্যাকাণ্ডৰ বিষয় নানা ৰকম আলোচনা হল। কথা কৈ কৈ তেওঁলোক ঘৰবপৰা ভালেখিনি আঁতৰ হ'ল। এনেতে বাৰবাৰাই উচপ খাই উঠি কার্লাইলৰ কান্ধত হাতখন দি কলে, "সেইজন কোন বহি আছে ?"

"কেপ্তেন লেভিডন।"

"তেওঁ আমাৰ কথা শুনিলে নেকি ?"

"নাই শুনা, আৰু শুনিলেই বা কি হব ? লেভিডনৰ এই ঘটনাত কোনো স্বাৰ্থ নাই। তেওঁ ইয়াত একেবাৰেই অচিনাকি মানুহ।"

দুয়ো কথা-বতৰা কৈ কৈ উভতি ঘৰ পালেহি। ইছাবেলৰ পক্ষে তেওঁলোকৰ ওপৰত চকু-কাণ দিয়া উচিত নহলেও—চকু-কাণ দিলে, তেওঁলোকৰ ব্যৱহাৰ প্রণালী, কথা-বতৰালৈ নজৰ কৰিলে। সতিনী দাহ তেওঁৰ অন্তৰত জাগিবলৈ ধৰিলে।

বাৰবাৰা ওচৰলৈ আহিলত মাকে কলে, "বাৰবাৰা, এতিয়া ঘৰলৈ যাওঁ বলা, ৰাতি হব, কিন্তু মইতো খোজ কাঢ়িব নোৱাৰোঁ—যাওঁ কেনেকৈ ? আহোঁতে বেন্‌জামিনক কৈ অহা হলে গাৰীখন লৈ আহিলহেতেন " কথা শুনি কার্লাইলে কৈ উঠিল, "বাৰু, মই এজন চাকৰ পঠাই দি থবৰ দিওঁ। আপুনি এতিয়া ভিতৰলৈ বলক, ইয়াত গা চেঁচা পৰিব।" কার্লাইল, ইছাবেল, কৰ্ণেলিয়া তিনিও ধৰাধৰিকৈ মিছেছ হেহাৰক ভিতৰলৈ নিলে আৰু এখন পালেহত শুৱাই থলে। এনেতে টম হাৰবার্টক বাটেৰি ব্রেষ্টলিনিৰ ফালে মোৱা দেখি মাকে কলে, "বাৰবাৰা, মোৱা, ৰবি মোৱাগৈ, সেই হাৰবার্ট আমাৰ সেই ফালে গ'ল, তেওঁক কবা যেন তেওঁ আমাৰ ঘৰত সোমাই বেনজামিনক গাৰীখন লৈ আহিবলৈ কয়।"

কার্লাইলে কথা কবলৈ সময় নাপালে। বাৰবাৰা ৰবি গৈ হাৰবার্টৰ ওচৰ পালেগৈ ; সুধিলে, "আপুনি আমাৰ নঙলাৰ মুৰেদি নামাবনে ?"

"এবা যাম, কেলেই ?"

"আই আৰু মই ইয়ালৈ আহিছিলোঁ। আইৰ গা ভাল নহয় ; তেওঁ এতিয়া ঘৰলৈ খোজ কাঢ়ি যাব নোৱাৰে। যদি অনুগ্রহকৈ বেন্‌জামিনক গাৰীখন লৈ আহিবলৈ কয় তেন্তে আমি বৰ সন্তোষ পাব।"

"বাৰু, কোনো কথা নাই ; মই কৈ যামগৈ, কিন্তু কিমান সময়ত !

"ঠিক ১০ দহ বজাত।"

"বাৰু, গুড্ ইভিনিং।"

"গুড্ ইভিনিং, মিছ বাৰবাৰা" বুলি বিজেলেও পাছফালৰ পৰা বাৰবাৰাৰ নমস্কাৰ জনালে। তাই ফিৰি চাই দেখে আকৌ দুজন ভদ্রলোক হাতত ধৰাধৰিকৈ তেওঁৰ ওচৰ চাপিলহি। এজন জেক্ হাৰবাৰ্ট। জেকে হাতখন আগবঢ়াই দি কৈ উঠিল—"বহুত দিন আগতে যে বাৰবাৰাৰ মৰম লগা মুখখন দেখিছিলোঁ পাহৰিব পৰা নাই। তেতিয়া তাই মৰম লগা সক ছোৱালীজনী আছিল, এতিয়া একেবাৰে পাট গাভকজনী হলহি।"

কথা শুনি বাৰবাৰাই হাঁহিলে, কিন্তু জেকৰ ওচৰতে থিয় দি থকা ভদ্রলোকজনলৈ চকু পৰাত তাইৰ অন্তঃকণ্ঠ শুকাই গ'ল। সেই মুখখন কাৰ ? তেওঁ এবাৰ মাথোঁ সেই মুখখন দেখিছিল আৰু ই তাইৰ অন্তৰত যি ক'লা দাগ

আঁকি গৈ গৈছিল, তাক পাহৰিব কেনেকৈ ? মানুহজনৰ ফালে ভেৰা লাগি চাই থকা দেখি জেকে কলে, "কেপ্তেন গৰ্ণ, মিছ বাৰবাৰা।

বাৰবাৰাৰ সপোন ভাগিল, চেতন হ'ল। তেতিয়া এজন অচিনাকি ডেকাৰ ফালে চাই থকা গাভক ছোৱালীৰ পক্ষে অশোভন ভাবি কলে, "মই—মই কেপ্তেন গৰ্ণৰ ফালে চাইছিলোঁ জেক্, কাৰণ মই তেওঁক চিনি পাওঁ যেন লাগে।"

গৰ্ণৰ মাত ফুটিল, "মই ব্রেষ্টলিনিত ৪।৫ বছৰ আগেয়ে এবাৰ আছিলোঁহি।"

"এবা, তেনে যেন লাগেতো ; ইয়াত কিমান দিন থাকিবা ?"

"চপ্তাহমানৰ ছুটী পাইছোঁ, সেই কেইদিন থাকিবৰ ইচ্ছা।"

"বাৰু, বিদায়হে এতিয়া।" বাৰবাৰা ঘৰমুৱা হ'ল ! মুখত চিন্তাৰ উপৰি চিন্তা। লবালবিকৈ মাক, কৰ্ণেলিয়া, কার্লাইল আৰু লৰা-ছোৱালীইহঁত যাঁত আছিল, তাঁলৈ গল,—ইছাবেলক তাত দেখা নাপালে। ওচৰলৈ গৈ কার্লাইলক মনে মনে হাতত টিপ মাৰি দি বাহিৰৰ ফালে উলিয়াই আনিলে। কলে, "আৰ্কিবল, মই তোমাৰ লগত অকলে কথা এটা কব খোজোঁ ; বাহিৰলৈ যাবানে ?"

কার্লাইলে মুৰ জোকাৰি সম্মতি জনাই দুয়ো বাহিৰলৈ ওলাই গল। ইছাবেল কিবা কামৰ নিমিত্তে সেই কোঠালিলৈ আহি বিৰিয়েকৰ লগত বাৰবাৰাৰ আচাৰ-ব্যৱহাৰ দেখি অলি উঠিল। তেওঁ দেখিলে যে তেওঁলোক ক্রমে নিজন হৈৰ ফালে খোজ লৈছে। মিছ ইছাবেল ওচৰলৈ যাওঁতে কার্লাইলে তাইক ওভতাই পঠালে। ইছাবেলৰ প্রাণে কি সয় ? সতিনী দাহ দুগুণে অলি উঠিল। বাৰবাৰাই কার্লাইলৰ গাতে হাতখন থৈ কাণে কাণে কলে, "আৰ্কিবল, কেপ্তেন গৰ্ণ ইয়াকৈ আছিছে।"

"চেং পাগলী !" বুলি কৈ কার্লাইলে বাৰবাৰাৰ মুখৰ ফালে চাই থাকিল।

"নহয় আৰ্কিবল, সচাঁকৈয়ে আছিছে—মই এই মাত্ৰ তাক দেখিলোঁ। মই বাটৰ মুখলৈ যাওঁতে অটৰে বিডলক, জেক্ হাৰবার্ট আৰু তাক দেখিলোঁ। এতিয়া কি কৰা আৰ্কিবল ?"

"কি কৰিম ? একো কৰিব নোৱাৰোঁ। ঠিৰাংকৈ নজনাকৈ মানুহজনৰ ওচৰলৈ গৈ হঠাৎ মানুহ এজনক হত্যাকাৰী বুলি ধৰিব পাৰিনে ? বিশেষতঃ বিচাৰ্ডে কোৱা মানুহজনেই যে এইজন তাকো পৰিষ্কাৰকৈ নাজানো। আমি সাৱধানেৰে সেইবোৰ কথা ঠিক কৰিহে আছল কামত হাত দিব পাৰিম। সম্প্রতি ধৈর্য্য ধৰি থাকা।"

দুয়ো ঘৰমুৱা হল। তাৰ আগেয়ে লেভিডন ঘৰ পালেগৈ। সি দেখিলে যে ইছাবেলে সতিনী দাহৰ জুই পুৱাই আকাশ-পাতাল ভাবি আছে। সুবিধা পাই সি সুধিলে, "সেইজনীয়ে মিছ বাৰবাৰা নেকি ? তেওঁলোক দেখোঁ একেবাৰে হৰিহৰ আত্মা ! এই মাত্ৰ তেওঁলোক সেই চুকৰপৰা ওলাই অহা দেখিলোঁ।"

"মোক কিবা কৈছে নেকি ডাক্তৰীয়া !" ধ্যানমগ্না ইছাবেলে সুধিলে।

"তোমাক আমনি কৰা নাই। মই মিঃ কার্লাইল আৰু মিছ্ বাৰবাৰাৰ আলেখ-লেখৰ কথাহে কৈছোঁ।"

আক কি লাগে ? অলি থকা জুইত ঘিউৰ চিটনি পৰিল।

সাধাৰণতঃ কোনো বিপদ আপদ পাৰ হৈ গলে—কোৱা শুনা যায় যে দৈব দুৰ্ব্বিপাকত এনেকুৱা হল। এনেকুৱা ঘটনা, এনেকুৱা কৰা হলে এনেকুৱা হলহেঁতেন ; কিন্তু তেনেকুৱা ঘটনা বিপদৰ অনুকূল নহই প্রতিকূল হোৱাত তেনেকুৱা হল। আনুষঙ্গিক ঘটনাসমূহে আছল গুৰি কথাত বহুত যোগান দিয়ে। যদি আনুষঙ্গিক ঘটনাসমূহে সংসাৰৰ কোনোবা দুর্ভগীয়াৰ ওপৰত বিপদ চপাইছিল, সর্ব্বনাশৰ মূল কাৰণ হৈ উঠিছিল—তেন্তে আমাৰ লেডি ইছাবেল কার্লাইলৰ ওপৰত।

নাম-কটা ছিপাহী লেভিডন ইষ্টলিনিলৈ আহিবপৰা ইছাবেলৰ অন্তৰত গিৰিয়েক আৰু বাৰবাৰা সম্বন্ধীয় চিন্তাবোৰ অর্থাৎ সতিনী দাহ আকৌ অলি উঠিল—নতুন ৰবি-ঘেৰ—লগে লগে নতুন ঘিউৰ চিটনি ! জুই দপ্‌দপাই অলি উঠিল।

বাৰবাৰাৰ দিন-ৰাতি চিন্তা—কেনেকৈ একমাত্ৰ মৰমৰ ককায়েক বেচেৰা ৰিচাৰ্ডক হেলিজনৰ হত্যাজনিত অপবাদ, অপযশ, অপৰাধীৰপৰা নিৰ্দ্দোষ প্ৰমাণ কৰি ভেশছন কৰি থকা বনবাসৰপৰা উদ্ধাৰ কৰে। ৰিচাৰ্ডে মাজে সময়ে অতি গোপনীয়ভাৱে তেওঁলোকক দেখা দি কৈছিল, "মই দোষী নহওঁ, আছল দোষী কেপ্তেন থৰ্ণ।" এতিয়া সেই কেপ্তেন থৰ্ণ স্বয়ং ইষ্টলিনত ঘূৰি ফুৰিছে—চিকাৰ বিচাৰি। ধৰা যায় কেনেকৈ? দিন ৰাতি চকুত টোপনি, পেটত ভোক নোহোৱা হল। ছোৱালী মানুহ, তাতে আকৌ গাভৰু, কোনো পুলিছ কৰ্ম্মচাৰী বা উকীল আদিও নহয়—কি বুদ্ধিৰে এই আছল হত্যাকাৰীক জালত পেলোৱা যায়? ইপিনে বাপেক জাষ্টিছ হেয়াৰৰ হেম-টাঙোনৰ ভয়; এই কথাৰ সম্ভেদ জাষ্টিছ হেয়াৰে ঘূৰ্ণাক্ষৰে জানিলেও সৰ্ব্বনাশ! কাৰ্লাইলৰ লগত হেয়াৰ পৰিয়ালৰ ঘনিষ্ঠতা। উপায়ন্তৰ নেদেখি মিছেছ হেয়াৰ আৰু বাৰবাৰাই শেহত কাৰ্লাইলক কাবৌ মিনতি কৰি এই ঘটনাৰ ৰহস্য উদঘাটন কৰিবৰ ভাৰ দিয়ে। তেৱোঁ যিমান দূৰ পাৰোঁ কৰিম বুলি অঙ্গীকাৰ কৰে আৰু সেই চেষ্টাতে আছে। সেয়েহে আজি মিছ্ বাৰবাৰা আৰু কাৰ্লাইলৰ ঘনাই ঘনাই দেখা-সাক্ষাৎ আৰু গোপনে কথা-বতৰা হয়।

বাৰবাৰাই যেতিয়াই সেই ঘটনা সম্বন্ধীয় কিবা অলপ শুনে, জানে বা দেখে, তেতিয়াই কোনো উপায়ে কৰ্লাইলক লগতে জনায়হি। জেক হাৰবাৰ্ট আৰু কেপ্তেন থৰ্ণ—দুয়ো বন্ধু, ইপিনে বাৰবাৰা আৰু হাৰবাৰ্টৰ ভনীয়েক মিছ হাৰবাৰ্ট দুয়ো মহা মিত্ৰ। সেই সূত্ৰে তাইৰ তালৈ আহ-যাহ আছে আৰু তাতেই কেপ্তেন থৰ্ণৰ ৱেষ্টলিনিলৈ অহা কথা, ছোৱেনছানত থকা কথা, কিবা বিপদ আশঙ্কাৰ কথা আদি কিছু কিছু শুনে। সেইবোৰ কবলৈ বাৰবাৰাই কাৰ্লাইলক লগ ধৰে। অফিছত নহয় কাৰণ তেতিয়া থৰ্ণে দেখা পাব আৰু সন্দেহ কৰিব, কিয়নো দোষী মানুহৰ সকলো পিনে চকু, সকলোতে সন্দেহ আৰু ভয়। সেইদেখি বাৰবাৰাই কাৰ্লাইলক, হয় ঘৰত—নাইবা বাটত খাপ লৈ থাকি—অফিছৰপৰা যাওঁতে লগ ধৰে। বাটত লগালগি হলে সেই খবৰ তেতিয়াই লেভিছনে তিলকে তাল কৰি ইছাবেলৰ আগত কয়হি, ইছাবেলৰ তুষ্টি সাধন কৰে—ঘৰত কথা-বাৰ্ত্তা হলে নিজেই দেখে শুনে। ইছাবেলৰ সতিনী দাহ অগণিত আৰু কি উপকৰণ লাগে? প্ৰথম ৰোগ লেভিছনৰ প্ৰতি গুপ্ত প্ৰণয়ৰ চিৰ আকাঙ্ক্ষা, দ্বিতীয় ৰোগ মিছ বাৰবাৰাৰ প্ৰতি সতিনী দাহ দাবানল। এই দুই মহাব্যাধিয়ে ইছাবেলক আক্ৰমিলে।

কাৰ্লাইলৰ লগত বাৰবাৰাই দেখা-সাক্ষাৎ কৰা, নিৰলত কথা-বাৰ্ত্তা হোৱা, ইছাবেলে নিজে সি দেখে, তেওঁৰ মনত খং আৰু সতিনী দাহ জগাবলৈ, লগে লগে অন্তৰৰ শান্তি ভঙ্গ কৰিবলৈ সেয়ে যথেষ্ট হ'লহেতেন। তাতে আকৌ অভ্যাগত অতিথি চিৰ আৰাধনাৰ মূৰ্ত্তি লেভিছনে জলি থকা জুইত ঘিউৰ চিটনি দিয়ে। বিষধৰ সৰ্পক দিন ৰাতি গাখীৰ খুৱাই থাকিলে তাৰ সেই মহাবিষ লুপ্ত হয়নে? কাৰ্লাইল হেন গোলাপজুপিৰ তলত লেভিছন মহাবিষধৰ সৰ্প হ'লহি। লেভিছনৰ দিন ৰাতি কাম হ'ল কাৰ্লাইলৰ আলেখ-লেখ চাই ফুৰা বিশেষকৈ বাৰবাৰাৰ লগত দেখা সাক্ষাৎ আৰু কথা-বাৰ্ত্তা কোৱা সম্বন্ধে। ইছাবেলৰ অগোচৰে হোৱা সেই দেখাদেখি লেভিছনে নানা ৰকম ৰহণ সানি তিলকে তাল কৰি ইছাবেলৰ মন যোগায়হি; জলি থকা অগণি ঘিউৰ চিটনি পাই দপ্-দপ্কৈ জলি উঠে।

বাৰবাৰাই ইছাবেলৰ এই সতিনী দাহৰ কথা ঘূৰ্ণাক্ষৰেও নাজানে। তাই কাৰ্লাইলক ভাল পাইছিল—অন্তৰেৰে ভাল পাইছিল আৰু সেইবাবে আগেয়ে তেওঁৰ লগত প্ৰণয় সম্ভাষণ আদান প্ৰদান কৰাত সম্ভৱ হব পাৰে। কিন্তু বাৰবাৰাৰ এতিয়া সেই মূৰ্ত্তি নাই, তাই তেনেই পৰিৱৰ্ত্তন হৈছে, তাইৰ অন্তৰত এতিয়া প্ৰণয়ৰ কথা নাই—কাৰ্লাইলৰ লগত যে যেতিয়াই তেতিয়াই দেখা-সাক্ষাৎ কৰে তাত প্ৰণয় বোলা কথাৰ গোন্ধ-ভাপো নাই। এতিয়া তাইৰ নিজৰ স্বাৰ্থ লেশ মাত্ৰও নাই; ককায়েক ৰিচাৰ্ডৰ স্বাৰ্থ—ৰিচাৰ্ড নিৰ্দ্দোষ প্ৰমাণ আৰু তাৰ উদ্ধাৰ। ৰিচাৰ্ডৰ স্বাৰ্থ লৈয়ে বাৰবাৰা দিন ৰাতি পগলা। কাৰো

কথা বা দৃষ্টিলৈ ভ্ৰূক্ষেপ নকৰি বাৰবাৰাই নিজৰ কৰ্ত্তব্যত ঘূৰি ফুৰে।

এদিন ৰাতিপুৱা কাৰ্লাইল অফিছত বহি থাকোঁতে ডিল মহৰীয়ে খবৰ কলেহি, "এজন ভদ্ৰলোক আহিছে দেউতা।"

"কামত বৰ ব্যস্ত আছোঁ—দেখা নাইনে?"

"সেই কথা মই কৈছোঁ তথাপি তেওঁ আপোনাক দেখা কৰিহে যাব হেনো।" কাৰ্লাইলে তাৰাতাৰিকৈ নিজৰ আৱশ্যকীয় কামখিনি কৰি অটাই কাগজ-পত্ৰ সামৰি থলে আৰু ডিলক ইঙ্গিত দিলে। কেপ্তেন থৰ্ণে ভিতৰলৈ আহি তেওঁক নমস্কাৰ জনাই তাৰ উদ্দেশ্য ভাঙি কলে—এখন বিলৰ টকা আদায় সম্পৰ্কে অলপ গোলযোগ হৈছে; সেই বিষয়ে থৰ্ণে কাৰ্লাইল উকীলৰ পৰামৰ্শ লবলৈ আহিছিল। কথা শুনি কাৰ্লাইল ভাবনাত পৰিল—থৰ্ণৰ নিচিনা আটক ধুনীয়া ডেকা বন্ধু এজনক উকীল নহলেও বিপদত সহায় কৰা উচিত; কিন্তু সিয়েই যদি তেওঁলোকে সন্দেহ কৰামতে হেলিজনৰ আছল হত্যাকাৰী, সেই নৰপিশাচ হয়, তেন্তে তাৰ নিচিনা ডেকাজনৰ নিমিত্তে কাৰ্লাইলৰ দুৱাৰ বন্ধ—তাত তাৰ ঠাই নাই। থৰ্ণে কাৰ্লাইলৰ সন্দেহপূৰ্ণ মুখৰ চেহেৰা দেখি কলে, "এই বিষয়ে কি কৰিব লাগে, অনুগ্ৰহকৈ এটা পৰামৰ্শ দিব নোৱাৰেনে?"

"নিশ্চয় পাৰিলোঁহেতেন। কিন্তু ক্ষমা কৰিবা কেপ্তেন থৰ্ণ,—মোৰ ওচৰলৈ কোনো মানুহ মোক্কেল হবলৈ আহিলে—প্ৰথমতে মই জানি লওঁ—মোক্কেলজন কোন, কি ৰকমৰ মানুহ।"

"মই সেই বিষয় কষ্ট স্বীকাৰৰ বাবে উপযুক্ত ধন দিম।"

কাৰ্লাইলে ওঠ কামুৰি হাঁহি মাৰি কলে, "মই সেই বিষয়ে কোৱা নাই। স্বৰ্গগত পিতাৰ উপদেশ—'মোক্কেলজন কোন নজানাকৈ কাৰো মোকৰ্দ্দমা গ্ৰহণ নকৰিবা।' কাজেই মই যে তোমাৰ ওপৰত কিবা সন্দেহ কৰিছোঁ—তেনে নাভাবিবা; মই কেৱল মোৰ কাম কৰিছোঁ।"

"মোৰ পৰিয়ালৰ ডাঙৰ ডাঙৰ মানুহৰ লগত সম্বন্ধ আছে।"

"ক্ষমা কৰিবা; পৰিয়ালৰ কথা ইয়াত নাই। যদি এজন দৈনিক বনুৱা বা বাটৰ ভিকহু আহে, তেন্তে তাৰ কথাও সাদৰে গ্ৰহণ কৰিব লাগে—যদি মানুহজন সৰলচিতীয়া আৰু সাধু পুৰুষ হয়। মই এইবোৰ কোৱা বাবে বেজাৰ নাপাবা—নাভাবিবা যে মই তোমাৰ ওপৰত কিবা সন্দেহ কৰি কথা কৈছোঁ। মই দঢ়াই দঢ়াই এইটো কওঁ যে তোমাক আৰু তোমাৰ স্বভাৱ-চৰিত্ৰ মোৰ জনা নাই। জানিলে কোনো কথা নাছিল।

কাৰ্লাইলে এনে ভদ্ৰভাৱে কথাবোৰ কলে যে এজন উকীলৰপৰা তেনে তিৰস্কাৰপূৰ্ণ কথা শুনিও থৰ্ণে অপমান যেন নাভাবিলে। তেতিয়া সি নিজৰ চাকৰীয়া জীৱনৰ আৰু মিঃ হাৰবাৰ্ট পৰিয়ালৰ লগত তাৰ সম্বন্ধ আদিৰ কথা কলে। কাৰ্লাইলেও দেখাত কিছু শান্ত হৈ সম্প্ৰতি কি কৰিব লাগে কলে; কিন্তু সদায় তাৰ ওকালতি কৰিম বুলি প্ৰতিশ্ৰুতি নিদিলে। এইবাৰ কথা শেষ হোৱাৰ লগে লগে কাৰ্লাইলে হঠাৎ থৰ্ণক সুধিলে, "তুমি প্ৰায় দহ বাৰ বছৰমানৰ আগেয়ে ৱেষ্টলিনিত কেইদিনমান থকা নাছিলাহিনে? তুমি দেখোঁ মোৰ ঘৰত সিদিনা এদিনো ৱেষ্টলিনিকৈ অহাই নাই বুলি কৈছিলা? কিন্তু পিছত তোমাৰ কথাতেই দেখোঁ ওলাই পৰিল যে তুমি তাত কেইদিনমান ৰৈছিলাহি?"

থৰ্ণে কালাইলৰ ওচৰ চাপি লাহে লাহে কবলৈ ধৰিলে, "এৰা আছিলোঁহি। অৱশ্যে আপোনাৰ আগত কোৱাত কোনো হানি নাই; কিন্তু এই কথা বিদিত হলে ভাল নাপাওঁ। মই ঠিক ৱেষ্টলিনিত নাছিলোঁ; তাৰ ওচৰ চুবুৰীতহে আছিলোঁ। তেতিয়া কিবা মুকলিমূৰীয়া ডেকাটো আছিলোঁ। কাজেই এঠাইলৈ—অহা-যোৱাও কৰিছিলোঁ। তেতিয়া মই বেছি প্ৰকাশ্যভাৱে ঘূৰি নুফুৰিছিলোঁ। কিন্তু এতিয়া ইয়ালৈ অহাত কোনো ভয়ৰ কাৰণ নাই।"

কাৰ্লাইনৰ গা শিয়ঁৰি উঠিল ৰিচাৰ্ডৰ বাবে। "এঠাই-লৈ অহা-যোৱা" কথাষাৰেই তেওঁৰ মনৰ সন্দেহ দূৰ কৰিলে। টপৰাই মাত লগালে, "এৰা সেই ছোৱালীজনীৰ নাম আছিল একি হেলিজন।"

থৰ্ণৰ চকু মেল খাই ৰল। কাৰ্লাইলৰ ফালে চাই সুধিলে, "একি কোন ?"

"একি হেলিজন।"

"একি হেলিজন! নহয়, আপোনাৰ ভুল হৈছে। মই এই নাম জীৱনতে শুনা নাই।"

কাৰ্লাইলে মাত নমাই কৈ গ'ল—"সেই সময়ত ইয়াত এটা বৰ শোক লগা দুৰ্ঘটনা হৈছিল। তুমি শুনা নাছিলা নে? একি হেলিজনৰ বাপেক" থৰ্ণে বাধা দি কলে, "অ, ৰব, ৰব। মই এই নাম নুশুনাৰ গল্প এটা কওঁ। একি হেলিজন? কেলেই—টম্ হাৰবাৰ্টে কোৱা সেইজনী ছোৱালী—যিজনী বাপেকৰ হত্যাকাণ্ডৰ পিছত নিৰুদ্দেশ হৈছে?"

"হেলিজনৰ নিজৰ ঘৰত—একিৰ চকুৰ আগতে সেই হত্যাকাণ্ড!" কাৰ্লাইলে নিজক চম্ভালি ললে আৰু লাহে লাহে শেহত কলে, "হেলিজন, পিতাৰ এজন মহৰী আছিল।"

"আৰু যিজনে সেই হত্যাকাণ্ড কৰিছে—তেৱেঁই ৰিচাৰ্ড হেয়াৰ—জাষ্টিছ হেয়াৰৰ একমাত্ৰ লৰা আৰু সেই মিছ বাৰবাৰাৰ—ককায়েক। আপোনাৰ কথা শুনি সিহঁতে কোৱা কথাবোৰ মোৰ এতিয়াহে মনত পৰিছে। মই মিছ বাৰবাৰাক সিদিনা আপোনাৰ পদূলিমুখতে দেখিছোঁ বেছ ধুনীয়া ছোৱালী! টমে মোক হত্যাকাণ্ডটোৰ কথা কলে; বাস্তৱিক হেয়াৰ পৰিয়ালৰ পক্ষে ই এটা বৰ অপমানজনক শোক লগা কথা। সেই নিমিত্তে বোধহয় বাৰবাৰা হেয়াৰ আজিও অবিবাহিতা।"

"নহয়, সেইটো কাৰণ নহয়।"

"তেন্তে কি কাৰণ?"

"মই বাৰবাৰাক ভালকৈ জানো; তাইক নিন্দা নকৰিবা।"

"নকৰোঁ—কেলেই নিন্দা কৰিম এনে হেন ৰূপৱতী ছোৱালীজনী। তেতিয়াৰপৰা একিৰ কথা শুনা নাই, আপুনি শুনিছেনে?"

"নাই শুনা। তুমি তাইক ভালকৈ জানিছিলা নহয় নে?"

"মই জানো বুলি কেলেই ভাবে? মই একিৰ নাম সিহঁতৰ মুখৰপৰা শুনিছোঁ আৰু জানিছোঁ।"

কাৰ্লাইলৰ মূৰত ওকালতি বুদ্ধি জাগিলহি। তেওঁ আৰম্ভ কৰিলে, "একিৰ মৰম চেনেহ, তাইৰ মন ভুলোৱা হাঁহি, চকুৰ চাৱনিত কোন মুগ্ধ হোৱা নাই? আটাইতকৈ তাই ভাল পাইছিল থৰ্ণ নামৰ আটক ধুনীয়া ডেকা এজনক। তুমিয়ে সেই থৰ্ণ নোহোৱা জানো?"

থৰ্ণে অন্তৰে অন্তৰে গৌৰৱ অনুভৱ কৰি গোঁফত পাক দিলে। "আপুনি যদি মোক বিশ্বাস কৰে কওঁ একিয়ে যে মোক ভাল পাইছিল স্বীকাৰ কৰিব নোৱাৰোঁ।"

"তেন্তে তুমি কোৱা সেই ৰূপৱতী ছোৱালীজনী একি নহয়। তায়েহে তোমাক আঁতৰালে।" কাৰ্লাইলে কথাষাৰ কৈ চকুযোৰ থৰ্ণৰ ওপৰত ৰাখিলে কথা শুনি থৰ্ণৰ মুখৰ আকৃতিৰ কেনেকুৱা পৰিৱৰ্ত্তন হয় লক্ষ্য কৰিবলৈ।

"মই ভাবোঁ—নহয়। মোৰ জনী এজনী বিবাহিতা ছোৱালী। কিছুদিন বেছ ফুৰ্ত্তিৰে কটালোঁ—পিছত গিৰিয়েক ঘৈণীয়েক দুয়ো শেহত মিল হোৱাত মোৰ মুধা মৰিল। এতিয়া সেইবোৰ কথা ভাবিলে বাস্তৱিকে বৰ লাজ লাগে।"

কেপ্তেন থৰ্ণ কথাষাৰ কৈয়ে বিদায় লৈ গুচি গ'ল।

থৰ্ণ আঁতৰ হওঁতেই ডিল ভিতৰ সোমালহি আৰু দুৱাৰ বন্ধ কৰি কাৰ্লাইলৰ ওচৰলৈ গৈ সুধিলে, "দেউতা, এই ভদ্ৰলোকজনেই কেপ্তেন থৰ্ণ নহয়নে? সেই ছোৱেন ছান নামৰ ঠাইৰপৰা নিতৌ গধূলি ৪।৫ মাইল ঘোৰাত উঠি একি হেলিজনৰ ঘৰলৈ অহা থৰ্ণ ছাহাব? মোৰতো ঠিক তেনেকুৱা অনুমান হয়।"

মোৰো তেনেকুৱাই ধাৰণা হৈছে। এই জনেই যে সেই থৰ্ণ এই কথা যেয়ে খাটাং প্ৰমাণ কৰি দিব পাৰে, তাক মই এতিয়াই ৫ পাঁচ হাজাৰ টকা পুৰস্কাৰ দিলোঁহেতেন।"

"মই তাক কেইবা দিনো হাৰবাৰ্টৰ লগত ফুৰা দেখিছোঁ আৰু দেখিবৰেপৰা মোৰ সন্দেহ হৈছে। ভাগ্যক্ৰমে তাৰ বন্ধু এজন লগ পাই সোধাত সি কলে যে সেই মানুহ জনেই ফ্ৰেডাৰিক কেপ্তেন থৰ্ণ। কিন্তু ছোৱেন ছানত থকাত তাক ফ্ৰেডাৰিক নামেহে জানিছিল। তেতিয়া মই 'সি তাত কি কৰিছিল' বুলি সোধাত সি কলে যে মৰণৰ বাট বিচাৰি ফুৰিছিল, সাধাৰণতঃ লম্পট স্বভাৱৰ ডেকাবোৰ যেনেকৈ ফুৰে। আকৌ ঘোৰাত উঠাৰ কথা সোধাতো কলে যে তাৰ নিচিনা ঘোৰাত উঠোতা পাকৈত ডেকা নাই। এইবোৰৰ পৰা কি অনুমান হয় দেউতা? আপুনি কি ভাবে?"

"কি ভাবোঁ? ময়ো তাকেই ভাবোঁ। মোৰ সম্পূৰ্ণ বিশ্বাস হৈছে এই থৰ্ণেই সেই থৰ্ণ।"

কাৰ্লাইল হেলনীয়া চকিখনত চকু মুদি বহি থাকিল।

—আগলৈ

গ্ৰীক জাতি

—শ্ৰীযুত বিষ্ণুচৰণ বৰা বি-এল

য়ুৰোপৰ কিছুমান অতি পুৰণি জাতিয়ে ইমান দূৰ প্ৰসিদ্ধি লাভ কৰিছিল যে তেওঁবিলাকৰ নাম এই পৰ্য্যন্তও প্ৰতীচ্য সাহিত্য আৰু ভাষাত জীৱন্ত হৈ ৰৈছে। প্ৰাচীন যুগৰ এইবিলাক প্ৰবল জাতিৰ বিষয়ে আৰু তেওঁবিলাকে কিভাৱে য়ুৰোপীয় জীৱন আৰু চিন্তাধাৰাৰ ওপৰত নিজ নিজ আধিপত্য বিস্তাৰ কৰিছিল তাৰ কিঞ্চিৎ আমি সকলোৱে জানি ৰখা আৱশ্যক। এইবিলাক জাতিৰ ভিতৰত গ্ৰীক আৰু ৰোমান জাতি অগ্ৰণী বুলি পৰিগণিত। পৃথিৱীৰ বুৰঞ্জীত গ্ৰীক্ জাতিৰ দ্বাৰা সম্পাদিত অভিনয়, স্বাধীনতা আৰু দাসত্বৰ, য়ুৰোপ আৰু এছিয়াৰ, প্ৰাচ্য আৰু প্ৰতীচ্যৰ বন্ধনসূত্ৰ। গ্ৰীক বুৰঞ্জীৰ প্ৰতি সভ্য জগতৰ আদৰ অক্ষয়শীল। যিবিলাক মনুষ্যৰ তেজৰপৰা য়ুৰোপীয় জাতিবিলাকৰ উৎপত্তি সেইবিলাকক সেই জাতিবিলাকৰ পূৰ্ব্ব পুৰুষ নুবুলি যি গ্ৰীক জাতিৰপৰা সমস্ত য়ুৰোপীয় জাতিবিলাকে পৈতৃক বিভূতিৰ উজ্জ্বলাংশ লাভ কৰিছিল সেই গ্ৰীক জাতিকহে পূৰ্ব্ব পুৰুষ বুলি ধৰা উচিত। স্বাধীনতাৰ দীৰ্ঘকাল কোনো জাতিৰ মহত্বৰ তৰ্জ্জু নহয়। এই জাতিয়ে খৃঃ পূঃ ৪৯০ চনৰপৰা খৃঃ পূঃ ৩৩৮ চনলৈকে ডেৰ শতাব্দীৰ ভিতৰত সাহিত্য, কাব্য, বুৰঞ্জী, শিল্পকলা, দৰ্শন শাস্ত্ৰ, বাগ্মিতা, শাসন প্ৰণালী, ভাস্কৰ আৰু স্থপতি বিদ্যাত উন্নতিৰ অত্যুচ্চ টিঙত উঠিছিল। তেতিয়াৰেপৰা আজি পৰ্য্যন্ত তাৰ পৰৱৰ্ত্তী দ্বাবিংশ শতাব্দীত সভ্য জগতৰ আৰ্জ্জিত উন্নতি তুল্যৰূপে তাতোকৈ বিশেষ বেছি বুলি ধৰিব নোৱাৰি।

গ্ৰীক জাতিয়ে সাহিত্য আৰু শিল্পৰ মূলসূত্ৰ আৰু সামাজিক আৰু ৰাজনীতিক প্ৰতিষ্ঠানৰ কঠীয়া আদিতে প্ৰাচ্য জগতৰ ইজিপ্ট, এছিয়া মাইনৰ আৰু ফিনিছিয়াৰ পৰাই যে পাইছিল সেই বিষয়ে কোনো সন্দেহ নাই। প্ৰাচ্য জগতৰপৰা পোৱা বস্তুৰ ওপৰত গ্ৰীক জাতিয়ে যি উৎকৰ্ষৰ সাঁচ দিলে সেইটো সম্পূৰ্ণই নিজৰ মৌলিক চৰিত্ৰোদ্ভৱ। নিজৰ আৰু মানৱ জাতিৰ উন্নতিকল্পে গ্ৰীক জাতিৰপৰা সেই আন্ধাৰ আদি যুগত যি অসাধাৰণ শাৰীৰিক আৰু মাননিক শক্তি আৰু যত্নৰ আৱশ্যক হৈছিল তাৰ ওপৰতেই এই জাতিৰ উচ্চতম ঠাইৰ ন্যায্য দাবি স্থাপিত। বৰ্ত্তমান সভ্য জগতে যিবিলাক অৰ্জ্জন আৰু সাধনা লৈ আজি গৌৰৱ কৰিছে কেৱল খৃষ্টীয় ধৰ্ম্মটোত বাদে গ্ৰীক জাতিয়েই প্ৰায় সকলোবিলাকৰ আৰম্ভকাৰী। অঙ্কশাস্ত্ৰ, পদাৰ্থবিজ্ঞান, ৰাজনীতিক বিজ্ঞান আৰু মানৱ জীৱন বিষয়ে দৰ্শন শাস্ত্ৰৰ এই জাতিয়েই আদি জন্মদাতা। ধৰ্ম্ম, সাহিত্য, ভাষা, নাটক, দৰ্শনশাস্ত্ৰ, শিল্পকলা আৰু বীৰকাহিনী পূৰ্ণ বুৰঞ্জী ইত্যাদিৰ যোগে গ্ৰীছে সমস্ত জগতৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছে। কোনো শিক্ষিত লোকে এইটো অগ্ৰাহ্য কৰিব নোৱাৰে কাৰণ ইয়াৰ প্ৰত্যেকটোৱেই তেওঁৰ জীৱনৰ অংশ স্বৰূপ হৈ পৰিছে। গ্ৰীক জাতিয়ে জগতক যিবিলাক দান দি গৈছে সেই বিলাক আমি ক্ৰমান্বয়ে আলোচনা কৰিম।

মানচিত্ৰলৈ চকু দিলেই বুজিব পাৰি যে গ্ৰীকদেশ পৰ্ব্বতময়। সমুদ্ৰই এই ৰাজ্যক ইণ্ডিয়ান সমুদ্ৰৰ দ্বীপপুঞ্জৰ লগত সংযোগ কৰি ৰাখিছে। পৰ্ব্বত শ্ৰেণীয়ে এই দেশক বিভিন্ন অংশত বিভক্ত কৰি এথেন্স আৰু স্পাৰ্টা দুই বিভিন্ন ৰাজ্যৰ অভ্যুত্থান সংঘটিত কৰিছিল। এই দুই ৰাজ্যৰ বুৰঞ্জীয়েই বিখ্যাত গ্ৰীছৰ বুৰঞ্জী।

ব্যৱস্থাকাৰক লাইকাৰগাছ খৃঃ পূঃ ৮০০ চনৰ লোক আছিল। এওঁৰ দিনত স্পাৰ্টাৰ লোক সংখ্যা ৯০০০ আছিল। চাৰিওফালে শত্ৰুৰ দ্বাৰা বেষ্টিত হৈ থকাত এওঁৰ গঠন নীতিমতে স্পাৰ্টাৰ প্ৰত্যেকজন লোকেই দেশ ৰক্ষাৰ

নিমিত্তে আজীৱন ৰণুৱা হব লগা হৈছিল। এই কাৰণেই প্ৰত্যেক ব্যক্তিৰ জীৱন জন্মৰপৰা মৰিশালিলৈকে ৰাজকীয় ক্ষমতাৰ নিয়মাধীনত আছিল। অতি দুৰ্ব্বল আৰু বিকলাঙ্গ সন্তানবিলাকক শিশু অৱস্থাতে অনাহাৰে ৰাখি কিম্বা অৰণ্যত পেলাই দি বধ কৰিছিল। লৰাবিলাক কেৱল সাত বছৰ বয়সলৈকে মাকৰ বুকুত থাকিব পাৰিছিল। ইয়াৰ পিছত লৰাবিলাকক স্থানান্তৰ কৰি ৰাজশিক্ষকৰ তত্ত্বাৱধানত ৰাখি ভোক পিয়াহ, শীত আৰু তাপ সহ্যৰ বাবে যেনে কঠোৰ শিক্ষাৰ আৱশ্যক তেনে শিক্ষা দিয়া হৈছিল। তেওঁবিলাকৰ নাৰীজাতিক বীৰ মাতৃ কৰি গঢ়ি তুলিবৰ নিমিত্তেই লৰাবিলাকৰ দৰেই ছোৱালীবিলাকৰো বাধ্যতামূলক ব্যায়াম শিক্ষাৰ স্কুল আছিল। সমস্ত দেশখনেই ব্যায়াম আৰু ৰণ সম্বন্ধীয় বিদ্যালয়ত পৰিণত হৈছিল। স্পাৰ্টানবিলাকে যেনেকৈ শাৰীৰিক আৰু সামৰিক উন্নতিৰ দ্বাৰা সুখ্যাতি লাভ কৰিছিল অন্যফালে মানসিক উন্নতি তেনেই আওহেলা কৰিছিল। সাহিত্য চৰ্চ্চা আৰু মানসিক উৎকৰ্ষত এথেনিয়ানবিলাকে অসাধাৰণ ব্যুৎপত্তি লাভ কৰি গ্ৰীক জাতিৰ কীৰ্ত্তি জীৱন্ত কৰি থৈছে। স্পাৰ্টানবিলাক যদিও দেশ ৰক্ষাৰ বাবে নিৰ্ভয় ৰণুৱা আছিল তথাপি তেওঁবিলাকৰ মানসিক উন্নতিৰ আওহেলা গ্ৰীছৰ অধঃপাতৰ অন্য এক কাৰণ হৈছিল।

গ্ৰীছ সাধাৰণতন্ত্ৰ বা প্ৰজাতন্ত্ৰ শাসনৰ জন্মভূমি। খৃঃ পূঃ ৯০০ চনত এই দেশৰ শাসন প্ৰণালীত বিশেষভাৱে উল্লেখযোগ্য পৰিৱৰ্ত্তন ঘটে। এই যুগৰপৰাই এই দেশৰ বিভিন্ন ৰাজ্যবিলাকত ক্ৰমান্বয়ে ৰাজতন্ত্ৰৰ ঠাইত প্ৰজাতন্ত্ৰ প্ৰচলিত হৈছিল। ৰাজ্যৰ উন্নতিকল্পে আৰু ৰক্ষাৰ্থে প্ৰত্যেক নাগৰিকৰ ব্যক্তিগত বল, জ্ঞান আৰু দায়িত্ব প্ৰজাতন্ত্ৰৰ ভিত্তিভূমি কৰি এই জাতিয়ে বৰ্ত্তমান সভ্য-জগতক উচ্চ শাসন প্ৰণালীৰ আদৰ্শ দান কৰি গৈছে। প্ৰজাতন্ত্ৰৰদ্বাৰা শাসিত হলেও বহুত ক্ষুদ্ৰ ৰাজ্য দীৰ্ঘকাল-ব্যাপী একতা বন্ধনত থকা অতি দুৰূহ। প্ৰত্যেক ৰাজ্যই খিয়লাখিয়লি কৰি ওচৰলৈ উঠাৰ প্ৰচেষ্টাত অৱশেষত ৰোমানবিলাকৰ হাতত এই জাতিয়ে পৰাজিত হৈ স্বাধীনতা হেৰুৱাইছিল।

গ্ৰীছৰ ধৰ্ম্ম অনেক দেৱ-দেৱীৰ কাৰ্য্যকলাপেৰে পৰিপূৰ্ণ। ইংৰাজী সাহিত্যৰ পাঠক পাঠিকাসকলৰ ওচৰত সেইবিলাক দেৱ-দেৱীৰ নাম সুপৰিচিত। জুপিটৰ, মাৰ্ছ, এপলো প্ৰভৃতি দেৱতাসকল অলিম্পাছ পৰ্ব্বতৰ অধিবাসী। জুপিটৰ বা জিউছ অলিম্পীয় দেৱতাসকলৰ ৰজা আৰু আকাশৰ ৰজা আছিল বুলিয়েই তেওঁ বজ্ৰবিদ্যুৎধাৰী বুলি অভিহিত। জুপিটৰৰ ভাৰ্য্যা হিৰা মাতৃশক্তিৰ দেৱী। এপলোৰ উপাসনাই গ্ৰীকবিলাকৰ প্ৰধান উপাসনা। এপলো কাব্য, শিল্পকলা, আলো, সৌন্দৰ্য্য আৰু মানসিক শক্তিৰ দেৱতা। মাৰ্ছ যুদ্ধৰ দেৱতা আছিল। এথেন্সৰ প্ৰধান দেৱী এথিনা জ্ঞান, কৃষি আৰু বয়ন প্ৰভৃতিৰ দেৱী আছিল। এফ্ৰোডাইট বা ভেনাছ প্ৰেমৰ দেৱী আছিল। প্ৰত্যেক বিদ্যাৰ এগৰাকী কৈ দেৱী আছিল। গ্ৰীক দেৱ-দেৱীৰ বুৰঞ্জী পাঠ কৰি হিন্দু ধৰ্ম্ম শাস্ত্ৰত উল্লেখ কৰা দেৱ-দেৱীৰ লগত তুলনা কৰিব পৰা যায়।

গ্ৰীছৰ ধৰ্ম্ম নীতিৰ লগত সাহিত্যৰ ঘনিষ্ঠ সম্পৰ্ক। সুপ্ৰসিদ্ধ অন্ধ কবি হোমাৰে লিখা বীৰকাব্য ইলিয়দ্ বা ইলিয়ম্ আৰু অডিছি আমাৰ মহাভাৰত আৰু ৰামায়ণৰ নিচিনা অতি সুৱদি আৰু ধৰ্ম্ম কাহিনীপূৰ্ণ। হোমাৰ খৃঃ পূঃ ৮০০ চনৰ লোক আছিল। ইলিয়ম্ বীৰ কাব্যত ত্ৰয় ৰাজ্য আক্ৰমণৰ যুদ্ধ কাহিনী বৰ্ণিত আছে। ত্ৰয় ৰাজপুত্ৰ পেৰিছে লেছিডিমনৰ ৰজা মিনিলাছৰ পৰমাসুন্দৰী ৰাণী হেলেনাক হৰণ কৰি নিজ দেশলৈ লৈ গৈছিল। দুয়ো পক্ষৰ ভিতৰত এই বাবেই দহ বছৰ ভীষণ যুদ্ধ চলিছিল। গ্ৰীছৰ ৰাজকোঁৱৰবিলাকে আমাৰ ৰামচন্দ্ৰই সীতাৰ উদ্ধাৰৰ বাবে লঙ্কা ধ্বংস কৰাৰ দৰেই ত্ৰয় ৰাজ্য ধ্বংস কৰিছিল। গ্ৰীক ৰাজকোঁৱৰবিলাকৰ সাহস আৰু বীৰত্ব মহাভাৰতত উল্লিখিত বীৰসকলৰ লগত তুলনা কৰিব পাৰি। হোমাৰৰ দ্বিতীয় বীৰ কাব্য ওডিছিত গ্ৰীকবীৰ অডিছিউছ বা ইউলিছিছৰ অত্যাশ্চৰ্য্য ভ্ৰমণ কাহিনী বৰ্ণিত আছে আৰু ৰামায়ণৰ ঘটনাৰ লগত ইয়াৰ বহুত মিল আছে। এই দুই কাব্যৰ সুন্দৰ ইংৰাজী অনুবাদ আছে। এই দুই কাব্যত লিখিত ঘটনা কিমান সঁচা আৰু কিমান মিছা তাক কোনেও সঠিক কৰি কব নোৱাৰে; কিন্তু

ইয়াৰপৰাই গ্ৰীছ দেশৰ খৃঃ পূঃ ৮০০ চনৰ পূৰ্ব্ববৰ্ত্তী কালৰ উচ্চতম সভ্যতাৰ প্ৰকৃত চিত্ৰ পোৱা যায়।

গ্ৰীকবিলাক যে কেৱল প্ৰকৃত সাহিত্যিক আৰু ভাবুক আছিল এনে নহয়। তেওঁবিলাক তদুপৰি প্ৰসিদ্ধ ৰণুৱা আছিল আৰু তেওঁবিলাকৰ সামৰিক শিক্ষাৰ প্ৰণালী অলপ আগতে বৰ্ণনা কৰা হৈছে। গ্ৰীছ কিছুমান নগৰ ৰাজ্যত বিভক্ত আছিল আৰু পৰস্পৰৰ লগত বিবাদ কৰিছিল। কিন্তু যেতিয়া আকস্মিক বিপদ উপস্থিত হৈ সমস্ত দেশত ভয়ৰ সঞ্চাৰ কৰিছিল, তেতিয়া তেওঁবিলাকে পৰস্পৰৰ লগত মিল হবলৈ বাধ্য হৈছিল। তেওঁবিলাকৰ বিপদ যাইকৈ প্ৰাচ্য দেশৰপৰা আহিছিল। যি পাৰছ্য ৰজাৰ ৰাজ্য মিছৰৰপৰা ভাৰতবৰ্ষ পৰ্য্যন্ত বিস্তৃত আছিল সেই পাৰছ্যৰ ৰজা ডেৰিয়াছৰ ওখ আকাঙ্খাৰপৰাই বিপদৰ জন্ম। পাৰছ্যবাসীবিলাকে সমুদ্ৰ পথেদি আহি এথেন্সৰ উপকণ্ঠস্থ সমতল ভূমিত নামিছিল। খৃঃ পূঃ ৪৯০ চনত উভয় পক্ষৰ ভিতৰত জগদ্বিখ্যাত মাৰাথনৰ যুদ্ধ ঘটিছিল। ডেৰিয়াছে একলক্ষ সৈন্যৰে যুদ্ধ কৰি দহ হাজাৰ গ্ৰীক সৈন্যৰ হাতত পৰাজিত হৈছিল। ইয়াৰ পিছত দুয়ো পক্ষৰ ভিতৰত হোৱা অনেক যুদ্ধৰ ভিতৰত থাৰমোপিলি আৰু ছালামিছৰ যুদ্ধই সবাতকৈ প্ৰসিদ্ধ। থাৰমোপিলিৰ যুদ্ধ খৃঃ পূঃ ৪৮০ চনত ঘটিছিল। এই যুদ্ধত পাৰছ্যৰ ৰজা জাৰেক্‌ছিছ দহ লক্ষ সৈন্যবাহিনীৰে ৰণ কৰি পৰাজিত হৈছিল। বুৰঞ্জীত বৰ্ণিত পৃথিবীৰ কোনো যুদ্ধত ইমান সৈন্য সংগ্ৰহ হোৱা নাছিল। সেই চনৰ ছেপ্টেম্বৰ মাহত ছেলামিছৰ যুদ্ধত পাৰছ্যৰ নৌবাহিনী ধ্বংস হোৱাত জাৰেকছিছ এছিয়ামাইনৰলৈ উভতি আহিল, কিন্তু যুদ্ধ তেতিয়াও চলি আছিল। অৱশেষত স্পাৰ্টা আৰু এথেন্স দৃঢ়ভাৱে সমবেত হৈ পাৰছ্যবাসীবিলাকক পুনৰাই প্লেটিয়াৰ যুদ্ধত সম্পূৰ্ণৰূপে পৰাজয় কৰি নিৰাপদ হৈছিল।

উভয় জল আৰু স্থল যুদ্ধত গ্ৰীকবিলাকে জয়লাভ কৰি প্ৰতীচ্য জগতত প্ৰাচ্য জগতৰ স্বেচ্ছাচাৰিতা স্থাপনৰ সম্ভাবনা দূৰ কৰি য়ুৰোপীয় জাতিবিলাকৰ ভবিষ্যত অদৃষ্ট নিৰ্দ্দেশ কৰিছিল। এই কাৰণেই ইংলণ্ডৰ বুৰঞ্জীত হেষ্টিংছৰ যুদ্ধতকৈও গ্ৰীছ আৰু পাৰছ্যৰ ভিতৰত হোৱা মাৰাথনৰ যুদ্ধ অবিনশ্বৰ ঘটনা। ক্ষুদ্ৰ দেশৰ ক্ষুদ্ৰ বাহিনীয়ে কি উপায়ে পাৰছ্যৰ বিপুল বাহিনী পৰাজয় কৰিছিল? গ্ৰীকবিলাকে যেনেকৈ গভীৰভাৱে শিল্প, কলা, সাহিত্য, কবিতা আৰু দৰ্শনশাস্ত্ৰ অনুশীলন কৰিছিল তেওঁলোকে যুদ্ধৰ বিষয়েও সেইদৰেই অনুশীলন কৰিছিল। তেওঁবিলাকে প্ৰত্যেক বস্তুৰ যোগ্যতা পৰীক্ষা কৰিছিল আৰু শিক্ষাৰ মোল বুজিছিল। উপৰিস্থ কৰ্ম্মচাৰীৰ ওচৰত বাধ্যতা আৰু কাৰ্য্যতৎপৰতা এওঁবিলাকৰ প্ৰধান গুণ আছিল। পাৰছ্যৰ অশিক্ষিত সৈন্যপালে গ্ৰীছৰ শিক্ষিত সৈন্যৰ লগত ৰণ কৰিবলগীয়া হৈছিল। তাৰ ফলত পাৰছ্যৰ বিপুল বাহিনীৰ পৰাজয়। ইয়াৰ পিছত মহাবীৰ আলেকজাণ্ডাৰে ৰাজ্যবিস্তাৰৰ লালসাত প্ৰথম বাৰ খৃঃ পূঃ ৩৩৩ চনত ইছাছ নামে ঠাইত আৰু দ্বিতীয়বাৰ খৃঃ পূঃ ৩৩১ চনত আৰবেলাত পাৰছ্যৰ ৰজাক পৰাজয় কৰিছিল।

গ্ৰীছৰ সাহিত্য সভ্যজগতৰ এটি অমূল্য সম্পদ। গ্ৰীছৰ ভাষা য়ুৰোপৰ ভিতৰত সৰ্ব্বোৎকৃষ্ট আৰু কবিতাৰ পক্ষ্যে সবাতকৈ উপযোগী। গ্ৰীক ভাষা গোটেই য়ুৰোপত সাধাৰণ ভাষা হৈ ৰৈছে। হোমাৰৰ বীৰকাব্য ইলিয়ম্ আৰু অডিছি য়ুৰোপৰ প্ৰায়বিলাক স্কুলত প্ৰচলিত হৈ ৰৈছে। এই ভাষাৰপৰা জগতৰ সকলো সভ্য জাতিয়ে অনেক শব্দ ধাৰ কৰিছে। আমি সদায় ব্যৱহাৰ কৰা ফিজিছিয়ান, ছাৰ্জ্জন, জিওগ্ৰাফি, পয়েট্ৰি, এথলেট, জিমনাষ্ট, অলিম্পিক ইত্যাদি শব্দবিলাক গ্ৰীক ভাষাৰপৰা গৃহীত হৈছে। কোনো বৈজ্ঞানিকে তেওঁৰ নতুন আবিষ্কাৰ বৰ্ণনা কৰিবলৈ গৈ শব্দৰ অভাৱ হলে গ্ৰীক ভাষাৰপৰা শব্দ আনি ব্যৱহাৰ কৰে।

গ্ৰীকবিলাকেই সমস্ত য়ুৰোপৰ ভিতৰত প্ৰথম আৰু প্ৰকৃত ভাবুক আছিল। তেওঁবিলাকৰ গ্ৰন্থবিলাক খৃঃ পূঃ ৪৭৫ চনৰ প্ৰথমতেই য়ুৰোপত প্ৰচাৰ হৈছিল। প্ৰতীচ্য দাৰ্শনিকবিলাকৰ ভিতৰত যি শ্ৰেষ্ঠতম সেই প্লেটো খৃঃ পূঃ ৪০০ চনত জন্ম গ্ৰহণ কৰিছিল। তেওঁ মানৱ জাতিক স্বাধীন চিন্তা কৰিবলৈ শিক্ষা দিছিল। তেওঁ বহুত গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ "ৰিপাব্লিক" নামৰ গ্ৰন্থত এক আদৰ্শ ৰাজ্যৰ মনোৰম কল্পনা কৰিছিল। মহাবীৰ

আলেকজাণ্ডাৰৰ শিক্ষক এৰিষ্টটল প্লেটোৰ প্ৰধান শিষ্য আছিল। দৰ্শন আৰু ৰাজনৈতিক বিষয়ে এওঁ বহুত গ্ৰন্থ লিখিছিল। এওঁ ন্যায়-বিজ্ঞান বা লজিকৰ প্ৰতিষ্ঠাতা আছিল। প্লেটোৰ শিক্ষক জগতপ্ৰসিদ্ধ দাৰ্শনিক ছক্ৰেটিছ খৃঃ পূঃ ৪৬৯ চনত জন্ম গ্ৰহণ কৰিছিল। এওঁ মানৱ জাতিৰ কৰ্ত্তব্যৰ নীতিবিজ্ঞান আৰু সত্যৰ অনুসন্ধান চৰ্চ্চাত প্ৰসিদ্ধি লাভ কৰিছিল আৰু আত্মাৰ অমৰত্বৰ বিষয়ে শিক্ষা দিছিল। বুৰঞ্জীৰ জন্মদাতা হিৰোডটাছে খৃঃ পূঃ ৪৮৪ চনত জন্ম গ্ৰহণ কৰিছিল। এওঁ য়ুৰোপ, আফ্ৰিকা আৰু এছিয়াৰ বহুত ঠাইত ভ্ৰমণ কৰিছিল। গ্ৰীছ আৰু পাৰছ্যৰ ভিতৰত হোৱা যুদ্ধৰ বিষয়ে এওঁ যি ৯খন বুৰঞ্জী লিখিছিল তাতেই সেই দেশবিলাকৰ প্ৰাচীন সভ্যতা, শাসননীতি আৰু পূৰ্ব্ববৰ্ত্তী অত্যাশ্চৰ্য্য বস্তুবিলাকৰ বৰ্ণনা লিখি লৈছিল। আৰু দুজন সুপ্ৰসিদ্ধ বুৰঞ্জী লিখক আছিল থিউছিডাইডিছ আৰু জিনফোন। এওঁবিলাকে ক্ৰমান্বয়ে খৃঃ পূঃ ৪৭১ আৰু ৪৩০ চনত এথেন্সত জন্ম গ্ৰহণ কৰিছিল। অসাধাৰণ মানসিক শক্তিৰ দাৰ্শনিক পাইথাগোৰাছ খৃঃ পূঃ ৫৪০ চনত জন্ম গ্ৰহণ কৰিছিল। মৃত্যুৰ পিছত আত্মাৰ দেহান্তৰ গমন বিষয়ে এওঁ শিক্ষা দিছিল আৰু জ্যামিতিৰ কিছুমান লাগতিয়াল নিয়ম-প্ৰণালী আবিষ্কাৰ কৰিছিল। এওঁ বহুকাল ইজিপ্টত বাস কৰিছিল। ডিমষ্টিনিছ গ্ৰীছৰ শ্ৰেষ্ঠতম বাগ্মী আছিল। এস্কাইলাছ, ছফোক্লিছ ইউৰিপিদিছ্ আৰু এৰিষ্টফিলিজৰ নাটকবিলাকত জীৱন সম্বন্ধীয় গ্ৰীছ দেশৰ আদৰ্শ বৰ্ণিত আছে। জগতৰ দৰ্শন আৰু সাহিত্য বুৰঞ্জীত এইসকল সুপ্ৰসিদ্ধ ব্যক্তিৰ নাম সদায় জিলিকি থাকিব।

গ্ৰীকবিলাক যে কেৱল ভাবুক আছিল তেনে নহয়। তেওঁবিলাক প্ৰসিদ্ধ শিল্পীও আছিল। তেওঁলোকৰ শিল্প কীৰ্ত্তি আজিও সজীৱ হৈ ৰৈছে। এতিয়াও এথেন্স ৰাজ্যত তেওঁবিলাকৰ সুন্দৰ সুন্দৰ প্ৰতিমূৰ্ত্তিবিলাক দেখিবলৈ পোৱা যায়। এই আচৰিত দেশত শিল্পকলা আৰু দৰ্শনে একেলগে উন্নতি লাভ কৰিছিল। ফিডিয়াছ গ্ৰীছৰ সুপ্ৰসিদ্ধ ভাস্কৰ আছিল। এওঁ দেৱতাবিলাকৰ প্ৰতিমূৰ্ত্তি নিৰ্ম্মাণ কৰিছিল। এওঁৰ নিৰ্ম্মিত জুপিটৰ অলিম্পিয়াছৰ প্ৰতিমূৰ্ত্তি পৃথিবীৰ সপ্তাশ্চৰ্য্যৰ ভিতৰৰ এক। এইটো বৰ আচৰিত কথা যে তেওঁবিলাকে একে সময়তে সকলো বিষয়তে উন্নতি লাভ কৰিছিল।



কৃষ্ণ-কুমাৰী

(আগৰ সংখ্যাৰ পাছৰপৰা)

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী

তৃতীয় অঙ্ক

—প্ৰথম দৃশ্য—

অন্তেষপুৰ ৰাণীৰ কক্ষ

[ৰাণী আৰু লীলাবাঈ]

লীলা—আপুনি দুখ নকৰিব আই! ঈশ্বৰে এটা দিহা দিব।

ৰাণী—কি দিহা দিব লীলা! মোৰ কৃষ্ণাৰ কি গতি হব? জগত সিংহৰ লগত বিয়াৰ কথা শুনি মই যেন হাতেৰে স্বৰগ ঢুকি পাইছিলোঁ, মনৰ আনন্দত আকুল হৈছিলোঁ; কিন্তু নিদাৰুণ বিধাতাই মোৰ সেই সুখৰ সপোন দুদিনতে ভাঙি দিলে, মোৰ আশাৰ কুসুম দুহাতেৰে মোহাৰি পেলালে। মোৰ আইৰ কি গতি হব?

লীলা—আপুনি কাতৰ নহব। আপোনাৰ চকুৰ পানীত কুঁৱৰীৰ অমঙ্গল হব যে। যাৰ মঙ্গলৰ বাবে আপুনি ইমান উত্ৰাৱল হৈছে, জননীৰ চকুলোৰে সেই কন্যাৰ অমঙ্গল মাতি নানিব।

ৰাণী—লীলা, আই! বুজিবৰ একো বাকী নাই; কিন্তু মনটোৱে প্ৰবোধ নামানে, হাহাকাৰ কৰি কান্দি উঠে, বুকুখন জ্বলি উঠে, ক'তো শান্তিৰ কণিকা এটি বিচাৰি নাপাওঁ।

লীলা—চিন্তাত শান্তি নাই আই! শান্তি পাব খুজিলে পৰম শান্তিময় ভগৱানকে স্মৰণ কৰক, অন্তৰ জুৰ পৰি যাব।

ৰাণী—হা ভগৱান!—

ভগৱান, প্ৰভু, শান্তিময়!

বৰষি শান্তিৰ ধাৰা

নুমুৱাহি অভাগীৰ অন্তৰৰ জুই।

শুনিছোঁ দয়ালু তুমি পতিতপাৱন,

বিশ্বজোৰা পতিতক কৰা তুমি ত্ৰাণ,

বিশ্বজুৰি দৰিদ্ৰৰ দীনবন্ধু তুমি,

সেয়ে,

বিশ্বজুৰি সকলোৱে গায় তযু নাম।

বিশ্বজোৰা কৰুণা তোমাৰ—

কৰা দান

এটি কণা তাৰে

কৃপা কৰি প্ৰভু কৃপাময়।

নহলে,

হে অনাথৰ নাথ!

বিশ্বজোৰা দয়াময় নামত তোমাৰ

কলঙ্ক সানিব লোকে।

কৰা প্ৰভু,

কৰা দয়া কৰুণা-সাগৰ!

দয়া কৰি

নিৰাপদ কৰা মোৰ প্ৰাণ-পুতলাক।

[লিগিৰীৰ প্ৰৱেশ]

লিগিৰী—আই হেৰ! তই ইয়াতে বহি আছ? মই নগৰখন খলক্ লগাই ঘূৰি মৰিলোঁ। ঘূৰোতে ঘূৰোতে ঘূৰণিয়ে মূৰৰ ওপৰ পালেগৈ। সিপিনে ভাতমুঠি পানী যেন হ'ল। এতিয়া, গা-মূৰ তিয়াই পাকতে দুগৰাহমান খাবি গৈ আহ।

লীলা—বুঢ়ী, তুমি যোৱা, মই এতিয়াই আইদেউক লৈ যাম।

লিগিৰী—বাছা! তই মোক সদায় এনেকৈ বাটে-ঘাটে কেটেৰ্-জেঙেৰ্ কৈ নামাতিবিচোন।

বাণী—বুঢ়ী মেতিয়া আহিছে এপালি গাইহে এবিব। মই আহিলোঁ আই।

[বাণীৰ প্ৰস্থান]

লীলা—তোক নো মই আকৌ কি কৰিলোঁ?

লিগিৰী—কালৰী বুলিলি? মই কাণেৰে শুনোনো? হে কণা বিধতা, মোক এইবোৰ গালি-শপনি শুনিবলৈহে জীয়াই ৰাখিছ?—হেৰ বাছা! ইমান দৰপ ভাল নহয়, ভাল নহয়। যৌবন কালত, আমাৰো ৰূপ আছিল, ধুন-গেচ আছিল। লোকলৈ চকুযুৰি কেবাহিকৈ চালে থিতাতে বাগৰি পৰিছিল। তেতিয়া মুখৰ মাত এফাকি শুনিবলৈ কত চেঙেলীয়া ডেকাই ভৰি দুখনত উবুৰি হৈ পৰিছিল! পিছে ঘৰত এজন আছিল বুলিহে যেনিবা গোঁসাইহে বইখা কৰিলে। তেওঁ বুলি আমাৰ জনে কিবা মৰম এবিছিলনে? এতিয়া—

লীলা—বুঢ়ী বাই! তই যা বাক এতিয়া। নেযাৰ যদি মুখখন জপাই থাক।

লিগিৰী—যমৰ ডাক? এনে কথাষাৰ নকবি বাছা! কালিৰ ছোৱালী পৰহিৰ গীত গাৱ। এই সিদিনাখন লোকৰ কোলাত উঠি আলাসৰ লাকট যেন হৈ আছিলোঁ, আজি মোৰ মৰিবৰ হলনে? সিজনো কাতি হল, মোৰো আলৈ-বিলৈ কুলায়-পাচিয়ে নধৰা হ'ল। কণা ঈচবে ইয়াকেহে কৰিলে।—তেওঁ, এই পকা-চুলিটাৰতে এচিচা গোন্ধ-তেল মৈহি সেওঁতাটি ফালি ল'লে জাকত জিলিকা হৈ উঠিম নহয়। তেতিয়া কত ডেকা লবাই চকুৰ পাকতে পাছে পাছে ঘুৰি ফুৰিবহি—

লীলা—বুঢ়ীৰ কথাত লাগ-বান্ধ নাই, যিমানে কৰলৈ দিয়া, কৈয়ে থাকিব, ওৰ নেপাওঁগৈ। মই যাওঁ বুঢ়ী বাই! তোৰ লগত মুখৰ বিহ তুলিব নোৱাৰোঁ।

[প্ৰস্থান]

লিগিৰী—ভালজনীৰ মুখখন জোকাই লৈছিলি! আইদেউ আছিল বুলিহে,—তেও এপালি দিহে এবিছে। মাৰক চিনি পোৱা নাই হবলা? উহ্, মই হেন জনীক কাংৰী বুলিবলৈ সাহ হ'ল! বাক, আজি ইমানতে সাৰিলি, আৰু এদিন পাম, পাম।

[প্ৰস্থান]

২য় দৃশ্য

জয়পুৰ—সৈন্যাবাস

[জগত সিংহ, অবিজিৎ আৰু দুজন সেনা]

জগত—অবিজিৎ!
গুপ্তচৰে দিলেহি সংবাদ—
মানসিংহে আক্ৰমিব উদয় নগৰী।
সজোৱা তুমস্তে সেনা
অশ্বাৰোহী আৰু পদাতিক,
অশ্ব, গজ যত আছে মানে।
পুনৰপি গুপ্তচৰ পঠোঁৱা চৌদিকে,
আনক সংবাদ গই
কোন পিনে মান-সেনা
কৰে অভিযান।

[অবিজিতে বংশীধ্বনিবে সঙ্কেত কৰে।

দুজন গুপ্তচৰৰ প্ৰৱেশ।]

শুনা চৰ!
আনা গই গোপনে খবৰ
কোন পিনে মান-সেনা কৰে অভিযান,
বাহৰ থাপিব ক'ত,
নিশা ক'ত কৰিব যাপন,
সৈন্যবল কিমান হাজাৰ।
যোৱা শীঘ্ৰে,
তুমস্তে আহিবা পুহ ঘুৰি;
যোৱা,—।

[চৰ দুজনৰ প্ৰস্থান]

অবিজিৎ, সৈন্যগণ!
চৰ মুখে শুনিলে সংবাদ
নিশাযোগে বেড়ি শত্ৰু-সেনা
আক্ৰমণ কৰিবা চকিতে;

নিৰ্দ্দম অস্ত্ৰেৰে হানি
বধ কৰা, হত্যা কৰা
যতমানে পাৰা।

অবিজিৎ—ৰাজ আজ্ঞা শিৰোধাৰ্য্য।
সেনাগণ! যোৱা শীঘ্ৰে;
কৰা পণ
শৰীৰত এক বিন্দু তেজ থাকে-মানে
নেৰিবা হাতৰ অস্ত্ৰ
প্ৰাণ লই নাহিবা উলটি।

সেনাদ্বয়—শৰীৰত একবিন্দু তেজ থাকেমানে
নেৰোঁ ৰণ;
প্ৰাণ দিম ঘাটিলে ৰণত।
জয়, ৰাজা জগত সিংহৰ জয়।

[সেনাদ্বয়ৰ প্ৰস্থান]

জগত—দেখিছানে অবিজিৎ!
কি স্পৰ্দ্ধা মানৰ!
অন্নহীন খঞ্জে খোজে ৰণাৰ পৰ্ব্বত,
বাহু মেলি বাওনাই
ছুৰ খোজে পূৰ্ণিমাৰ চোন!
মূৰ্খ মানসিংহ!
যোগ্য ভোগ্যা বসুন্ধৰা;
যোগ্য মই কৃষ্ণা সুন্দৰীৰ।
তই কোন?
বান্দৰে পিন্ধিব খোজ মুকুতাৰ মালা?
অবিজিৎ!
কাৰনো বলত আজি
মানসিংহে কৰে এনে সাহ?

অবি—মহাৰাজ!
পাহৰিলে নিশ্চয় আপুনি।
মনত নপৰে জানো
দুৰমতি দুষ্ট আমীৰক?
ঘোৰ কুট পাপিষ্ঠ অধম
কৰিছে মিতালি
ৰজা মানসিংহ স'তে
সিদ্ধি হেতু অভীষ্ট নিজৰ।
কিন্তু, এইবাৰ
সমুচিত দিম প্ৰতিফল।
ৰণৰ ক্ষেত্ৰত যদি
এটি বাৰো মাৰো দেখা পাওঁ
প্ৰাণ লম দুষ্ট আমীৰৰ
বক্তেৰে বাঙলি কৰি তীক্ষ্ণ তৰোৱাল।
কোনো চিন্তা নাই মহাৰাজ!

জগত—ওহো হো!
চিনিলোঁ এতিয়া
বিদেশী কপট বন্ধু কুট দুৰ্জ্জনক।
যোৱা অবিজিৎ!
সময় উকলি যায়,
ৰণলই সাজু হোৱা গই।

[অবিজিতৰ প্ৰস্থান। আন ফালেৰে ঠিকুজীৰ প্ৰৱেশ]

ঠিকু—(জগত সিংহক লক্ষ্য নকৰাকৈ) বিনাশ্ৰয়ে ন জীৱন্তি ব্ৰাহ্মণঃ বণিতা লতা—অৰ্থাৎ কিবা বোলেনে বামুণ, বণিতা আৰু লতা—এই তিনিও বিধে আশ্ৰয় নহলে ন জীৱন্তি অৰ্থাৎ জীয়াই থাকিব নোৱাৰে। বামুণ আৰু লতাৰ যি হ'ক লাগে, বণিতাক হলে আশ্ৰয় লাগিবই লাগিব, নহলে চলে কেনেকৈ? বাক, গ'ল কথা গুচিল যদি ইমানতে গুচক কিন্তু, হাই-কাজিয়া, যুজ-বাগৰ কবি তিবোতাজনীক ওচৰ চপাই আনি আশ্ৰয় দিব লাগিব এনে বেদে পুৰাণে নোহোৱা কথাষাৰ ক'তো শুনা নাই বোপাই! কোনোবাই হোমৰ ওখত কানিয়াৰ কপালত ফোঁটটো পিন্ধাবলৈ দিয়ে যদি, পিন্ধোৱা; লগুণ গাঁঠিটো মাৰিবলৈ দিয়ে যদি, মাৰি লোৱা; কিন্তু গাৰ বলেৰে লোকৰ জোৱাই বোলাবলৈ মোৰাটো মই যেন বিদগ্ধ পণ্ডিতে পিতপিতাই বিচাৰিও কোনোখন শাস্ত্ৰতে উলিয়াব নোৱাৰিলো। কিনো কম দেহি ঐ, কিনো কম; দিন কাল তেনেই গুচিল, বজাও বজা, এনে তিবীৰ কঙাল বজা আক ক'তো দেখা নাই মোৰ বোপাইহঁত। লাগেহে লাগে, লাগেহে

লাগে। ছোৱালীজনীৰ কথা কোনোমতে কবলৈ পালোঁনে নাই ঘপহ কৰে জাপটো মাৰি উঠিল। যি হ'ক, মুছাহেবী-তুছাহেবী কৰি মুখৰ জোৰত চাউল এমুঠি উলিয়াইছিলোঁ—এতিয়া যদিহে ৰণত ৰজাৰ ভাল-বেয়া কিবাখন হব লাগিল তেনেহলে তাৰো দিহা মৰিব, আৰু—

জগত—অকলে অকলে কি বলকিছা ঠিকুজী ?

ঠিকু—(জিবাত কামোৰ মাৰি মূৰত হাত দি বহি পৰে) মৰিলোঁ, মৰিলোঁ, নিগমে মৰিলোঁ। (নিজৰ গালত চৰ মাৰি) এই মুখখনেই মোক খালে ; তেও যদি সিজনীৰ মুখখনকে চেৰ পেলাব পাৰিলোঁহেতেন।—এতিয়া কি কওঁ, কি নকওঁ ? (প্ৰকাশ্যে) মহাৰাজ ! এই কিবা বোলেনে—আকাশখনলৈ চাওঁতে চাওঁতে চকুৰ ভিতৰতে এটা পোক সোমালে (চকু মোহাৰে)।

জগত—আকাশৰ পিনে লোকে ইমানপৰ চাই থাকেনে ? আকাশতনো কি দেখিলা ?

ঠিকু—তৰা লেখিলোঁ।

জগত—ভাল কৰিলা ; এতিয়া আহা, যুজলৈ যাবৰ সময় হ'ল।

ঠিকু—মহাৰাজ ! যুজখন নকৰিলে নহয়নে ? লাগিলে সেই কুঁৱৰীজনীক মই ফুচুলাই-ফাচালাই আনি দিওঁ।

জগত—যুদ্ধ নকৰিলেও হয় ; কিন্তু কৰিব লাগিব। ঠিকুজী ! এই যুদ্ধ কৰিব লাগিব অকল কৃষ্ণকুমাৰীক পাবলৈ নহয়, মোৰ আত্ম-প্ৰতিষ্ঠাৰ কাৰণেও। মই দেখুৱাব খোজো যে মই মানসিংহতকৈ কোনো গুণে হীন নহওঁ—শ্ৰেষ্ঠ।

ঠিকু—হয়তোন। আদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকো খা ! মহাৰাজে ছোৱালীজনীক পাবলৈ মন মেলিলে, সিও কটা—কিবা বোলেনে মাৰণসিংহ নেকি নামটো—তাকো ছোৱালীজনী লগাত পৰিল ! হয়তোন ! যুদ্ধ কৰক মহাৰাজ ! মই আছোঁ মানে আপোনাৰ একো ভয় নাই।

জগত—তুমি যুজ কৰিবানেকি বন্ধু ?

ঠিকু—কেলেই নকৰিম মহাৰাজ ? অলবৎ কৰেঙ্গে !

জগত—তেনেহলেই আমাৰ ফালে হ'ল আৰু !

ঠিকু—যুজৰ খলিত চাই লব মহাৰাজ ! শতুৰুমখাক আৰু সেই কিবা বোলেনে—মানৰ সিঙক ভৰি দুখনেৰে গচকি তুলা-মুলা কৰিম নহয় বাপেকে।

জগত—বাৰু বলা ;—ফলেন পৰিচিয়তে।

(দুয়োৰে প্ৰস্থান)।

৩য় দৃশ্য

—ফুলনি—

[কাল—জোনোৱালি গোধূলি]

কৃষ্ণা—এটি যেন অশুভ বাতৰি
বতাহত ভাহি আহি কয় কাণে কাণে—
কৃষ্ণা তোৰ হব অমঙ্গল।
এটি যেন প্ৰেতৰ মূৰতি
কয় আহি কাণে কাণে মোক—
তোৰ বাবে হব কৃষ্ণা, ৰাজ্য ছাৰখাৰ,
উদয়পুৰত ব'ব শোণিতৰ ধাৰ !
—বস্ত্ৰেৰে আবৰি দেহ
সৌৱা কোন ললনা মূৰতি
ধৰি দিবা জ্যোতিৰ্ম্ময়ী ৰূপ
নামি আহে স্বৰগৰপৰা ?
কিহৰ কাৰণে
ইঙ্গিতেৰে উদগণি দিয়ে মোক
নিলগৰপৰা ?
কোন তুমি অমৰাৰ নিখুঁত সুন্দৰী !
কোৱা,
তুমি কোন নন্দনৰ
সুৰভিত কুসুমৰ ফুলাম পাহিটি ?
(কাণ পাতি শুনে)
—কোন ? পদ্মিনী ?
ৰাজপুত সতী শিৰোমণি ?
ওঁ, বুজিলোঁ এতিয়া
ইঙ্গিতেৰে দিলা কি আদেশ !

কিন্তু,
হে জননি !
আত্ম-হত্যা মহাপাপ,—
সি পাপত লিপ্ত হবলই
দিয়ানে আদেশ দেবি ?
(অজিতৰ প্ৰৱেশ)

অজিত—কুমাৰি !

কৃষ্ণা—কোন ? ওঁ, আপুনি :—আপুনি আকৌ আহিছে ?

অজিত—মইতো নাহিম বুলি শপথ খোৱা নাছিলোঁ।

কৃষ্ণা—সঁচা ; কিন্তু আপোনাৰ আগমন মোলৈ অশুভ।

অজিত—অশুভ ?—তেন্তে আৰু নাহোঁ, আজিয়েই শেষ। বিদায় দিয়া কুমাৰি ! মই যুদ্ধলৈ যাওঁ। মই মৰিশালিৰ জুই, বেছিপৰ ওচৰত থাকিলে তাপ লাগি জয় পৰি যাবা। দিয়া, সোনকালে বিদায় দিয়া।

কৃষ্ণা—অজিত সিংহ ! মই আপোনাৰ কোন যে আপোনাক ৰণলৈ যোৱাৰ অনুমতি দিব লাগে ? ৰাণাৰ আদেশেই যথেষ্ট নহয়নে ?

অজিত—কেনেকৈ কম, তুমি মোৰ কোন ! কেনেকৈ বুজাম যে তুমি মোৰ কোন ! তুমি মোৰ দুচকুৰ মণি, বুকুৰ কলিজা, শৰীৰৰ প্ৰাণশক্তি। এতিয়া বুজিলানে, তুমি মোৰ কোন ? যাওঁ কৃষ্ণা ! হাঁহি মুখে বিদায় দিয়া,—আৰু তোমাৰ সমুখলৈ নাহোঁ ; কেতিয়াবা আহোঁ যদি, সিদিনা জানিবা—হয় মোৰ অন্তিম কাল, নহয় তোমাৰ। মৰণৰ নিৰ্জীৱ কোলাত যিদিনা চকুদুটি মুজি আহিব, সিদিনাখন—সেই শেষ মুহূৰ্ত্তত মোৰ লগত তোমাৰ দেখা নহৈ নোৱাৰে—যদিহে প্ৰেম অমৰ হয়।

কৃষ্ণা—ভাবিছিলোঁ ৰণলৈ যাবলৈ হাক দিওঁ—কিন্তু, মনৰ কথা মনতে ৰ'ল, মুখ-ফুটাই কব নোৱাৰিলোঁ। ৰণ কিয় ? এই শান্তিৰ ৰাজ্যত অশান্তিৰ ধুমুহা কিয় ? কৃপা কৰি মোক আশ্ৰয় দিবৰ কাৰণে হাজাৰ হাজাৰ নৰ-নাৰীৰ ওপৰেদি এই তাণ্ডৱ মৃত্যু-লীলাৰ খেল কিয় পুৰুষ ! তুমি বলৱান,—নাৰী অবলা ; কিন্তু তোমাৰ এই বিভৎস আয়োজনৰ গূঢ় ৰহস্য তিৰোতাই ঘিণ কৰে।—কি আকৌ—আকৌ আহিছা দেবি ? ইঙ্গিত নকৰিবা, তোমাৰ কাষলৈ নামাতিবা, মই আত্মঘাতী হব নোৱাৰোঁ। এটা মোহময় আকৰ্ষণে মোক আত্মঘাতী হবলৈ নিদিয়ে, আত্মহত্যা মহাপাপ। (কাণ পাতি শুনে) হাঃ হাঃ হাঃ,—তুমি মৰিছিলা পাপিষ্ঠ, কামুক জনৰ হাতৰপৰা আত্মৰক্ষা কৰিবলৈ, নাৰীৰ মান ৰাখিবলৈ। তুমি মৰিছিলা সতীত্বৰ শুভ্ৰ, নিষ্কলঙ্ক ফুলপাহি দেৱতাৰ চৰণত অৰ্পণ কৰিবলৈ। আই ! যদি মোৰ অৱস্থাও তোমাৰ দৰে হয়, যদি মোৰ নাৰীত্বৰ ওপৰত কোনোবা পাপিষ্ঠই কেতিয়াবা হাত দিবলৈ বিচাৰে, তেন্তে ধ্ৰুৱ জানিবা কৃষ্ণা, তন্মুহূৰ্ত্তে আত্মঘাতিনী হব। উহ্ ! মোৰ কি হৈছে ? মই কি দেখিছোঁ ? —ক'ত কি ? একো নাই। মূৰৰ ভিতৰত ৰিমৰিমকৈ উঠিছে—যেন যাতনাত সৰ্ব্বাঙ্গ থৰ্ থৰকৈ কঁপি উঠিছে। উস্—! (বহি পৰে)



গোহাঁইদেও

গল্প—

—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা

তিনি বছৰৰ মূৰত দেশলৈ বা ঘৰলৈ ঘূৰি আহিছোঁ। আমাৰ দেশৰ এৰি-মুগা, কাপোৰ আৰু সূতাৰ সৰু-সুৰা কাৰবাৰ এটা খুলি সুদূৰ বোম্বাই চহৰত আছোঁগৈ। লক্ষপতি নাই হোৱা যদিও, বহুতো চাকৰিয়ালতকৈ কাৰবাৰটোৱে আমাক খুৱাব পাৰিছে। ভবিষ্যতৰ কথা এতিয়াও ক'ব পৰা নাই এখোন! বি-এটো পাছ কৰি, চাকৰিলৈ কাৰবাৰ নকৰাত, আৰু কাপোৰৰ ব্যৱসায় কৰি নিজৰ ভাগ্যৰ ফলাফল চাওঁ বোলাত, মোৰ প্ৰিয় বন্ধু ৰতিকান্তই মোৰ ওপৰত তেতিয়া বৰ খং কৰি উঠিছিল। বন্ধুৰ মানত মোৰ বুদ্ধিটো হেনো এটা গজ-মূৰ্খৰহে!

টী প্লেণ্টাৰৰ ল'ৰা, বন্ধু ৰতিকান্ত এতিয়া নগৰত এজন গণ্য-মান্য পুৰুষ। নিজৰ চাহ-বাগিচা আছে, চাহ-বাগিচাৰ পইছাৰে পোৱা দুমহলীয়া বঙলাঘৰ আছে আৰু তাৰ আনুষঙ্গিক এখন নতুন বছৰৰ নতুন মডেলৰ মটৰ গাৰীও আছে। অসহযোগ আন্দোলনৰ ফলত যদিও অলপ টকা খৰচ হৈছিল, তথাপি লোকেল্‌বৰ্ড, মিউনিছিপেলিটিৰ সভাত দুখন আসন যোৱা বছৰ বন্ধুৱে লাভ কৰিছে। জিলাৰ বৰ ছাহাবে হেনো বন্ধুক খাটিৰ কৰিয়েই "বইজ হাই স্কুলৰ" "মেনেজিং কমিটীত" সভ্য আৰু "গাৰ্লছ হাই স্কুলৰ" "মেনেজিং কমিটিৰ" "ছেক্ৰেটাৰি" পাতিছে।

আহি ঘৰ পায়েই, বন্ধু-বান্ধৱৰ খা খবৰ লওঁতে, মোৰ প্ৰিয় বন্ধু ৰতিকান্তৰ সৌভাগ্যৰ সংবাদবিলাক পাই বৰ সুখী হলোঁ।

নগৰৰপৰা পাঁচ মাইল দূৰৰ গাৱঁত মোৰ ঘৰ। ঘৰৰ ধান আৰু তামোল বেচা টকাৰেই পঢ়ি মই এজন গণ্য-মান্য অসমীয়া "গ্ৰেজুৱেট্"। অৱশ্যে নগৰীয়াসকলে মোক গাৱঁলীয়া খেতিয়কৰ ল'ৰা বুলি যে কিবা এটা চকুৰে চায়, তাক কেতিয়াবা কেতিয়াবা অলপ অনুভৱ কৰিব পাৰোঁ। কিন্তু নগৰীয়া টী প্লেণ্টাৰৰ ল'ৰা ৰতিকান্তই, কিয় কব নোৱাৰোঁ, মোক তেওঁৰ এজন আপোন মানুহ বুলি স্কুলত পঢ়াৰে পৰাই ধৰি লৈছিল। সেই আপোন ভাবত আমাৰ খতি-খুন হোৱা নাই। তাতে বি-এ ক্লাছত পঢ়োতে, মিছ বৰুৱাৰ ওপৰত তেওঁৰ যেতিয়া চকু পৰে, মই তেতিয়া আংশিকভাৱে "বেদনিধি-বাপুৰ" কাম কৰিবলগীয়া হৈছিল। সৌভাগ্যবশতঃ, বন্ধুৰ বিয়াখন মিছ বৰুৱাৰ লগতেই হ'ল। তেতিয়াৰপৰা নবীন দম্পতীৰ মই আৰু আপোন হৈ পৰিলোঁ। যি কি কাৰণতেই নহওক, বন্ধু ৰতিকান্তই মোৰ যাতে ভাল হয়, তাক সদায় চিন্তা কৰি আহিছে। নগৰীয়া-গাৱঁলীয়াৰ, তাতে ধনী দুখীয়াৰ এনেদৰে বন্ধুত্ব হোৱাত মোৰেই কোনোবা জনমৰ সৌভাগ্য!

ঘৰ পায়েই ভাবিলোঁ, বন্ধুক দেখা কৰি বন্ধুৰ সৌভাগ্যৰ সুখৰ অলপ ভাগ লৈ আহোঁগৈ!

দেওবাৰ, আবেলি চাৰি বজাত বন্ধুৰ বঙলাৰ প'ৰ্টিকত থিয় হলোঁহি। বেহেৰা এটা লৰি আহিল। তাৰ হাতত মোৰ "ভিজিটিং কাৰ্ডটো" দিলোঁ।

অলপ পিছতে, বন্ধুপত্নী (আগৰ মিছ বৰুৱা, এতিয়া মিছেছ ফুকন) লৰালৰিকৈ ওলাই আহি, মিচিকিয়া হাঁহিৰে মোক সম্বৰ্দ্ধনা কৰি তেওঁবিলাকৰ সুসজ্জিত "ড্ৰইং ৰুমলৈ" লৈ গ'ল। মোক ইমান দিনৰ পিছত লগ পাই মিছেছ ফুকনৰ কি আনন্দ!

মই চকীখনত বহিয়েই মাত লগালোঁ, "ফুকন ঘৰত নাই নেকি?"

—"বহকচোন, ফুকনৰ অবিহনে আমি আপোনাক সুধিব নোৱাৰিম নেকি? তেখেতে গা ধুবলৈ সোমাইছিল,

মই খবৰ দিছোঁ, পায়হিহে লাগে।" বুলি মিছেছ ফুকনে মোক কৈ, ভিতৰৰ ফালে মুখ কৰি সম্বোধন কৰিলে;—"গোহাঁইদেও, আপোনাক দেখা নাপাই. বন্ধুৰ এতিয়া এৰাঁ চৰিব!

ঠিক সেই সময়তে, ৰতিকান্তই হো—হোকৈ হাঁহি, মোক সাৱটি ধৰিলেহি। পাঁচ মিনিটমানলৈ আমাৰ উভয়ৰে হাঁহি। আমি যেন হাঁহিৰেই আমাৰ ভাল-বেয়াৰ উত্তৰা-উত্তৰি কৰিছোঁ!

এনেতে মিছেছ ফুকনে মাত লগালে,—"গোহাঁইদেও, বন্ধুৰ লগত অলপ আলাপ কৰক; মই চাহ আনো।"

এই বুলি মিছেছ ফুকন ভিতৰলৈ সোমাই গ'ল।

"গোহাঁইদেও" সম্বোধন দুবাৰ শুনি,—হাঁহিৰ মাজতেই এবাৰ ৰতিকান্তক সুধিলোঁ,—"কি হে ভাই, তুমি দেখোন "ট্ৰেড-মাৰ্ক" লোৱা কায়স্থ? গোহাঁইদেও হ'লা, কেনেকৈ? এইটো প্ৰিয়তমাৰ আচুতীয়া সম্বোধন নেকি?"

—বন্ধুৰ হাঁহি এইবাৰ দুগুণে চৰিল!—"ইয়াৰ ৰহস্য আছে, বুজিছা, ইয়াৰ ৰহস্য আছে! পিছে, ক'ম বাৰু!" বুলি ৰতিকান্তই হাঁহিৰ খেলখেলনিৰ মাজতেই কৈ গ'ল।

এনেতে, হাতত চাহৰ সৰঞ্জাম লৈ মিছেছ ফুকন সোমালহি।

"গোহাঁইদেও; আলহীক আজি ৰাতি ইয়াতেই খাবলৈ কওক। বহুত দিনৰ মূৰত অহা অতিথিক এৰিব নোৱাৰি—!"

মিছেছ ফুকনৰ কথাৰ উত্তৰ ময়ে দিলোঁ;—"মইতো আজি ৰাতিৰ সাজ ইয়াতেই খাম বুলি আহিছোঁ। অৱশ্যে, ৰান্ধনি বামুণৰ হাতে নহয়; অন্নপূৰ্ণা ফুকননীৰ হাতেহে।"

মোৰ কথাৰ লগে লগে ৰতিকান্তই ক'লে;—"হে হে এসাজ হে। হাকিমৰ ভাষাত কওঁ, এসপ্তাহলৈ তোমাক বন্ধ কৰি "নজৰবন্দিত" ৰখা হব। তাৰ অন্যথা হব নোৱাৰে—।"

মিছেছ ফুকনে চাহৰ কাপটোত চামোচেৰে চেনি গাখীৰ মিহলাই মোৰ ফালে আগ বঢ়াই দি ক'লে;—"আপুনি নাজানে হ'বলা, গোহাঁইদেওৰ ৰান্ধনী মই হে। বামুণ ৰান্ধনি ঘৰখনৰ আনৰ বাবেহে! ভয় নাই, কচু-শাকৰ টেঙা আপোনাক দিয়া হব। এতিয়া চাহ খ'ক—।"

"সঁচাইনে? বন্ধুৰ বৰ সৌভাগ্য দেখোন! ৰান্ধনিৰ হাতৰ মলিৰ সলনি, সঁচাই অমৃত-ব্যঞ্জন খাবলৈ পাইছে।"

এই বুলি মুখত চাহৰ কাপটো লৈ মনত ভাবিলোঁ,—"এনেদৰে হ'লেতো কলেজত পঢ়া ছোৱালীক অকামিলা গলগ্ৰহ বুলিব নোৱাৰি। সুশিক্ষিতা গৃহলক্ষ্মীয়ে যে ঘৰখনত সদায় পদুম ফুল ফুলাই থাকিব পাৰে।"

—চাহ খোৱাৰ লগে-লগেই তেওঁবিলাকৰ আৰু মোৰ নিজৰ সুখ-দুখৰ কথা পাতিবলৈ ধৰিলোঁ।

চাহ খাই অটাইছোঁ, এনেতে বেহেৰাটোৱে ক'লেহি, "মটৰ ফটকতে ৰৈছেহি।"

বন্ধুৱে মোৰ চকুলৈ চাই কলে, "অলপ ফুৰি আহোঁ বলা।"

—"মটৰ ভ্ৰমণটো ৰাতিপুৱালৈকে থোৱা। এতিয়া অলপ খোজ কাঢ়ি ফুৰিবৰহে মন গৈছে। নগৰো দেখা হব, ফুৰাও হব।"—মই কলোঁ।

ফাগুন মহীয়া ত্ৰয়োদশীৰ জোনাক। সন্ধ্যাতে জোনবাইৰ ৰূপালি ঢৌৱে গোটেইখন ঠাই ঢৌৱাই পেলালে। আমি ঠিক এনেতে "পদুম পাৰ্কত" থিয় হৈ ব্ৰহ্মপুত্ৰৰ বুকুত কিবা যেন এটি নতুন কবিতাময় ৰূপ দেখিবলৈ পালো। "পাৰ্কৰ" বেঞ্চ এখনত ব্ৰহ্মপুত্ৰলৈ মুখ কৰি বহি পৰিলোঁ। ক্ষন্তেকলৈ আমি নীৰৱ নিমাত।

—এনেতে, বন্ধুৱে মোক কলে;—"অ, তুমি মোক গোহাঁইদেওৰ অৰ্থ সুধিছিলা, নহয়? শুনা, গোহাঁইদেও শব্দৰ উৎপত্তি,—এনে এটা জোনোৱালি ৰাতিত, ইয়াতেই।—মই আৰু তেওঁ (তোমাৰ নিছেছ ফুকন) দুয়ো আৰু-বেলি গৰমত ফুৰি আহি, এইখন বেঞ্চতে বহি, জুৰ লৈছোঁ। তেতিয়া, পাৰ্কত কোনো নাছিল। তোমাৰ মনত পৰেনে, আমাৰ লগত পঢ়া, তাহানিৰ নবীন গোহাঁইলৈ। বেচেৰা নবীন পুলিছৰ দাৰোগা হৈছিল, হঠাৎ আজি দুবছৰৰ আগতে, এদিনতে কলেৰাত মৃত্যু হ'ল:—আমি ইয়াত বহাৰ অলপ পিছতে, নবীনৰ

মাক আৰু ভনীয়েক লতা ইয়াত উপস্থিত। মাকে লৰা-লৰিকৈ মোৰ ওচৰ চাপি মাত লগালেহি ;—"বোপা ; তোমাৰ বঙলা পাই আহিলোঁগৈ। চাকৰবোৰে কলে ; তুমি ইয়ালৈ আহিছা বুলি। তোমাক বিচাৰি এইখিনি পালোঁহি।—তুমি মোক চিনি পাইছানে ? মই নবীন গোহাঁইৰ আইতাক।"

মই লৰালৰিকৈ থিয় হৈ কলোঁ ;—"হয়, হয়, আইতা, আপোনাক চিনিছো। তাহানি আমাৰ আইতাৰ লগত আপোনালোকৰ ঘৰলৈ সদায় গৈছিলো নহয় ;—বহক, বহক।" বহিবলৈ বেঞ্চখন দেখুৱাই দিলো।

শ্ৰীমতীলৈ চাই নবীনৰ আইতাকে ক'লে ;—"অ, এওঁ হ'বলা বোৱাৰী। ভালেই হ'ল ; চিনাকি হ'লো।" বুলি তেওঁবিলাক বহিল।

অলপ সময় দুই-চাৰি আষাৰ ঘৰৰ কথা পাতি নবীনৰ আইতাকে ক'লে ;—"বোপা, শুনিছোঁ, তোমা-লোকৰ ছোৱালীৰ স্কুলত মাষ্টৰণী এজনী লাগে। তুমি বোধকৰোঁ শুনিছা, কালটো ঢুকুৱাৰ পিছত আমি বৰ দুখত পৰিছো। ঘৰত মানুহ মই আৰু এই ছোৱালীজনী। তুমি বোধকৰোঁ, কব পাৰা, লতাক ককায়েকে ডিব্ৰুগৰত পঢ়াইছিল। তাই মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰিলে। এই ছোৱালীজনীকে যদি কামটো দিব পাৰা, কিজানি ঘৰখন ৰক্ষা পৰে।"

—"আইতা, আৰু কব নালাগে। আপুনি লতা আইদেওক কালিলৈকে দৰ্খাস্ত এখন দিবলৈ কওক। মই অশেষ যত্ন কৰিম, যাতে আইদেৱে কামটো পায়।—বলক, এতিয়া ঘৰলৈ যাওঁ।" বুলি, তেওঁবিলাকক ঘৰলৈ লৈ আহিলোঁ। তুমি জানাই, আমাৰ দেশহিতৈষীসকলৰ কথা। উচ্চ-বংশৰ এটি সুশিক্ষিতা ছোৱালী তেওঁকো কামত সুমুৱাবলৈ ভালকৈয়ে যত্ন কৰিবলগীয়া হ'ল।—আমাৰ "চেয়াৰমেনৰ" বাবে। যাওক সেইবোৰ কথা। লতাই কামটো পালে। সঁচাকৈয়ে, লতা যেনে সুশিক্ষিতা, তেনে বিনয়ী, তাতে গান-বাজনাও অতি সুন্দৰৰূপে কৰিব পাৰে। শুনিছোঁ, গৃহস্থালী কামতো বৰ পৈণত। লতাৰ সৌন্দৰ্য্যতেই বা গুণতেই আমাৰ দেশ-হিতৈষীসকলে, নগৰৰ প্ৰত্যেক সভাতে তেওঁক গান গাবলৈ বিচৰা হ'ল। দেশ-প্ৰেমীক বৰাক বোধকৰোঁ তুমি ভালকৈয়ে জানা। তেওঁ আৰু বেলি সভা এখনত সভাপতি হৈছিল, সেই সভাত উদ্যোক্তাসকলৰ নিমন্ত্ৰণত লতাই গান গাইছিল। সভাপতিৰূপে, দেশপ্ৰেমিকে লতাৰ গানৰ নথৈ প্ৰশংসা কৰিলে। হাঁহি উঠা কথা বুজিছা, দেশ-প্ৰেমিকে সভাত গান শুনিয়েই ক্ষান্ত নহ'ল ; সেইদিনাৰপৰা সপ্তাহত দুবাৰ তিনিবাৰকৈ, পিছলৈ দিনৌ গধূলি লতা আইদেওৰ ঘৰত লতাৰ গান শুনা "প্ৰোগ্ৰেম" কৰি ললে। ইয়াৰ কিছুদিনৰ পিছত, এদিন আবেলি নবীনৰ আইতাক আহি মোৰ ওচৰত হাজিৰ। বৰ বিশ্বাসত মোক কলেহি, দেশ-প্ৰেমিকৰপৰা উপায় নাই ! গান শুনিবলৈ গৈ, তেওঁ হেনো লতাক ঠাৰে-চিয়াৰে নকবলগীয়া কথা কেতিয়াবা কয়। অসুবিধা, অসুখ ইত্যাদি কথা কৈ মাজে মাজে দেশপ্ৰেমিকক বহিবলৈ নিদিও ঘূৰাই পঠিৱা হৈছে ; তথাপি কিবা এটা বুদ্ধি উলিয়াই পিছ দিনাই হাজিৰ হয়গৈ—"

এনেতে মই মাত লগালোঁ ; "কেলেই দেশ-প্ৰেমিকৰ কথা সকলোৱে জানে ; কিহৰ পাকত পৰি কেনেকৈ, তেওঁৰ চৰ্কাৰি চাকৰি গ'ল ; —ভাগ্যে, অসহযোগ আন্দোলনত যোগ দি ফাণ্ডৰ পইছাৰে কোনোমতে নিজৰ গাটো নোলোৱাকৈ ৰক্ষা পৰিল। তথাপি, আমাৰ মানুহে বিশ্বাস—"

"এঃ, কিনো কৰাহে, তেওঁ যে পাদুৰী ছাহাবৰ দৰে ডিঙি ফুলাই ফুলাই বক্তৃতা দিব পাৰে। তাতে মানুহটো সঁচাকৈয়ে বৰ চতুৰ। নেদেখিলানে,—চেয়াৰমেন হৈ, কো-অপাৰেটিভ্-ষ্টোৰ্ছৰ ৰাজহুৱা টকা হজমো কৰিলে, সকলোৰে চকুত বালি মাৰি, কোম্পানিৰপৰাই ওলাই আহিল। কেনে মানুহে সভাত, নিজক কেনেকৈ দেশৰ হকে উছৰ্গা কৰাৰ বক্তৃতা দিব লাগে তাক তেওঁ ভালকৈয়ে জানে। তেওঁক এতিয়া বুজিবলৈ, ৰাইজৰ ভিতৰত তেওঁৰ নিচিনা এজন দ্বিতীয় চতুৰ ওলালেহে— !"

"পিছে, সেইবোৰ বাৰু থোৱা। নবীনৰ আইতাকৰ আতুৰ কথাত বৰ বেয়া লাগিল। অথচ, উচ্চ বংশৰ গাভৰু

ছোৱালী, যেনে তেনে দেশ প্ৰেমিকৰ ওপৰত হাত চলাব নোৱাৰি। কিবাটো কৰোতে কিবাটো হবগৈ পাৰে। ততালিকে বুদ্ধি এটা ওলাল ; সদায় গধূলি ময়ো লতা আইদেওৰ গান শুনিমগৈ ; তেতিয়া তাত মোক দেখি, দেশ-প্ৰেমিকে অসুবিধা পাই, সেই ঠাই এৰিব। নবীনৰ আইতাকক তাকে বুজাই কৈ বিদায় দিলোঁ। তোমাৰ মিছেছ ফুকনক কিন্তু এইবোৰ কথা কোৱা নাছিলোঁ।

পিছ দিনাৰপৰা, লতা আইদেওৰ ঘৰলৈ সদায় গধূলি যাবলৈ ধৰিলো মোৰ ঔষধে গুণ ধৰিলে, দেশ-প্ৰেমিকে সেই ঠাই কেইদিনমানৰ পিছত একেবাৰে এৰিলে। পিছে ইফালে, কি হ'ল কব পাৰা ! যিমানেই শিক্ষিত হওক, তেওঁ তিৰোতাহে। তিৰোতাৰ স্বভাৱ, তাহানি স্বয়ং পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ ভাৰ্য্যা সত্যভামাইও এৰিব পৰা নাছিল। —সদায় গধূলি একেৰাহে একে সময়তে ঘৰৰপৰা ফুৰিবলৈ ওলাই যোৱাত, তোমাৰ মিছেছ ফুকনে তেওঁৰ হাতৰ মুঠি ঢিলা হোৱা যেন ভাবি, কেউফালে তলে তলে মোৰ বিষয়ে খোজ-খবৰ কৰিবলৈ ধৰিলে। এদিন দেখোন, গধূলি লতা আইদেওৰ গান গোৱা শুনি থাকোতে, মটৰৰে গৈ, মোৰ পাছতে হাজিৰ।—লতাক কলে, ফুৰিবলৈ আহিছোঁ বুলি। মোলৈ অৰ্থপূৰ্ণ হাঁহিৰ বাণ এপাত মাৰি, চকী এখনত বহি পৰিল— !

তাৰ পিছ দিনাৰপৰাই মিছেছ ফুকনে মোক "গোহাঁইদেও" উপাধি দিলে— ।"

মই হাঁহি-হাঁহি কলোঁ ;—"সুন্দৰ, বেছ কবিতা আছে। মিছেছ ফুকনক আজি তেন্তে ভাল উপন্যাস এখন লিখিবলৈ অনুৰোধ কৰা হব। অসমীয়া সাহিত্যও অলপ চহকী হওক— ।"

ৰতিকান্তই মোৰ কথাষাৰৰ অৰ্থলৈ কাণ নকৰি, মোৰ হাতখনত ধৰিলে, আৰু অলপ সময় কিবা কথা এটা যেন ভাবি মোক কলে ;—"নবীন অকল মোৰেই বন্ধু নাছিল, তোমাৰো বন্ধু আছিল। লতা আইদেওক মই তোমাক সমৰ্পণ কৰিব খোজোঁ। বোধকৰোঁ, আইতাকে আপত্তি নকৰিব। তুমিওতো সাতঘৰীয়া আহোমৰ দুৱৰাৰ ঘৰৰ ল'ৰা। সঁচাকৈয়ে, লতাৰ মনৰ কথা কব নোৱাৰো, তুমি হলে লতাক সহ-ধৰ্ম্মিণীৰূপে পালে, নিশ্চয় ধন্য হবা। মোক "মেডেল" এটা নিদিলেহে আছে—।" মই ক'লো ;—"কি হে কথা দেখোন ক'ৰবালৈ টানিছা ? এনে সুশিক্ষিতা ছোৱালীৰ বাবেও মই যোগ্যনে ?—আজিও মই ডাল-দৰিদ্ৰ গাৱঁলীয়াহে—!"—"থোৱা, থোৱা, তোমাৰ বকলা। মই বহুত দিনৰেপৰা মনে মনে ভাবিছিলোঁ, লতাক যদি তোমাৰ হাতত দিব পাৰোঁ— ।" বুলি বন্ধুৱে আগ্ৰহেৰে মোৰ ফালে চাই কলে।

"বাৰু, ৰাতি হৈছে, উঠো এতিয়া। মিছেছ ফুকনে আমালৈ বৈ চাগৈ আমনি পাইছে।"—এই বুলি দুয়ো ঘৰমুৱা হ'লো।

এমাহমানৰ পিছৰ কথা। বন্ধু ৰতিকান্ত আৰু মিছেছ ফুকনৰ যত্নত বা বুদ্ধিত, কিবা এটা পাকত, ততা-তৈয়াকৈয়ে লতা আইদেওৰে মোৰে বিয়াখন হ'ল।

আজি আমাৰ নব-দম্পতীক টী প্লেণ্টাৰ ৰতিকান্তৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছে।

আমি সকলোটিয়ে খাবলৈ বহিছো, অৰ্থাৎ মই আৰু বন্ধু ৰতিকান্ত। মিছেছ ফুকনে, এইটো খাওক, সেইটো খাওক বুলি, কাঁহিলৈ চিৰা-পিঠা দলিয়াইছে। লতাই মিছেছ ফুকনক সহায় কৰিছে। এনেতে, মুখত জলপানৰ মোকোৰা লৈ, মিছেছ ফুকনলৈ উদ্দেশ্য কৰি হাঁহি হাঁহি কলো ;—"বোলো, ইমান দিন আছিলো, গগৈদেও,—এতিয়া বিয়াৰ পিছতো গোহাঁইদেও হব নোৱাৰিম নে— ?"

মোৰ কথাত ৰতিকান্তই হো-হোকৈ হাঁহিবলৈ ধৰিলে, মইও হাঁহিলোঁ। লতাই আমাৰ চকুলৈ চালে ; মিছেছ ফুকনে, ৰতিকান্তলৈ চাই, দুষ্ট হাঁহি এটা মাৰি টিপতে কলে,—"দুয়ো দুষ্ট !—লতা আইদেও, তুমি আকৌ আজলী হৈ নাথাকিবা ; আজি কালি ল'ৰাবোৰৰ ভাল সাৱধান লব লাগে, বুজিছা—।" এই বুলি পায়সৰ কাঁহি দুখন আগত দি কলে ;—"খাব লাগিব।"

———

সুৰ-বিজয়

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

কৌটিকলীয়া পুৰণি সোঁতা বুকত লৈ লুইত বৈ আছিল। এনেতে এদিন হিল্-দল্ ভাঙি ডাঙৰ নৈ এখন প্ৰবল বেগেৰে তাত পৰিলহি। হঠাৎ এনে. সজাতৰ ফলত লুইতে চক খাই থমকি বল। ফলত কিছুকালৰ নিমিত্তে লুইতৰ বিস্তাৰ, বিনোৱ আৰু আপোন-পাহৰা অৱস্থা। বাহিৰা আৰু ভিতৰুৱা শত্ৰুৰ উদ্ভাৱিত অসম ভালেমান দিন জুকনী-জুপুৰী হৈ বৈছিল। তাৰ পিছত স্বাধীনতাৰ বিনিময়ত শান্তিলাভ। পঞ্চক্ৰত পৰি অসম ভূতৰ গবাহত। এনেকুৱা মোহাৱস্থা আজি আঁতৰি আহিছে; ভূত-প্ৰেত পলাইছে; আৰু স্বভাৱতে অসম সুস্থ হবৰ বাটলৈ আহিছে। আজি পিতৃলোকৰপৰা পিতৃপুৰুষসকলৰ আশ্বাস-বাণী অসমীয়াৰ কাণত পৰিছে:—"বৎস! মাভৈঃ! আত্মানং বিদ্ধি!" অসমীয়াই আজি ভবিবে মাটি ছুই থাউনি পাইছে আৰু ভয় নাই। ঈশ্বৰৰ কৃপাত, আকৌ যদি কেনেবাকৈ অসমৰ ভবি নিপিছলে, তেন্তে অসমৰ উন্নতি নিশ্চিত।

আত্ম-বিস্মৃতিৰ অন্ধকাৰ কালডোখৰত এনে দিনো গৈছে, যেতিয়া অসমীয়াই নিজক অসমীয়া বুলি বিদেশীৰ আগত বুকু ফিন্দাই থিয় দিবলৈ লাজ পাইছিল। বিদেশী মিষ্টান্নত হাত দিব নজনা, দেশী সান্দহ-চিৰা-পিঠা খোৱা অসমীয়াই অনাহকতে "পাপোঽহম্ পাপকৰ্ম্মাহং পাপাত্মা পাপসম্ভৱম্" ভাবি ম্ৰিয়মাণ হৈ পৰিছিল। আমাৰ ওচৰচুৱৰী বিদেশীৰ সকলো আছে, আমাৰ একো নাই, এতেকে আমি হীন; এনে ভয় আৰু লাজৰ ভাৱত অসমীয়া অনেকদিন চন্দুৱা পৰিছিল। বিদেশীৰ বিদ্যা, বুদ্ধি, পিন্ধন, উবণ, ভোজন, চলন সকলোবোৰ, আমাৰ তেনেবোৰতকৈ শ্ৰেষ্ঠ, এনে মিছাভাবে অসমীয়াক কেঁকোৱা-খোলা দি কাপুৰুষবো কাপুৰুষ কৰি পেলাইছিল। সুখৰ বিষয়, আজি অসমীয়াৰ গাত সেই জাতৰ খেতৰৰ বিকাৰ আৰু নাই। আজি অসমীয়াই বুজিছে যে তেৱোঁ "অমৃতৰ পুত্ৰ"; তেওঁ চিৰকাল বুদ্ধত বাদ্ধি লৈ ফুৰা, পৈতৃক প্ৰাচীন শিক্ষা, দীক্ষা, আচাৰ, ব্যৱহাৰ, কৃষ্টি আৰু সভ্যতাৰ টোপোলাটো তেওঁৰ জাতীয় গৌৰৱৰ অমূল্য সমলেৰেহে পৰিপূৰ্ণ, তাত তেওঁৰ অগৌৰৱৰ আৰু আত্মসম্মানৰ হানিজনক লাম্ফলচুৰ লেশমাত্ৰ নাই। এয়েই আজিৰ অসমীয়াৰ বিশেষত্ব। আজি মোৰ দেশৰ আদৰৰ ভাই-ভনীসকলৰ চকু গজিছে; নিবিড় অন্ধকাৰৰ তমঃ তেওঁলোকৰ চকুৰ আগৰপৰা আঁতৰিছে। সেই দেখি আজি তেওঁলোক সকলো কাৰ্য্যতে উলাহেৰে উকলীকৃত। ই কি সুচায়! ই সুচায় যে জীৱন-মৃত্যুত অসমীয়াৰ আৰু পৰাজয় নাই।

সঙ্গীত বিদ্যাৰ মৌ-কোঁহ প্ৰাচীন কামৰূপৰ সন্তান—বৰ্ত্তমান কালৰ আত্মবিস্মৃত অসমীয়াই মাজতে ভাবিছিল, অসম সঙ্গীত বিদ্যাত ছবীয়াবো আওছবীয়া। অসমত সঙ্গীত বুলি যি আছে, সিয়ো গাঁৱলীয়া ভাওনাৰ কেংকে-ভেলেলে; আৰু সি আমাৰ ওচৰচুৱৰীয়াৰ

"আয় লো অলি
কুসুম তুলি
ভবিয়ে ভালা"ৰ আগত মুখ দেখুৱাব নোৱাৰে।

যদিও এনে দৈন্য ভাব আজি কিছুমান দিনা পৰা অসমীয়াৰ মনবপৰা বিদূৰিত হৈ আহিছে, তথাপি স্বীকাৰ কৰিবই লাগিব যে পিতা-পুত্ৰ শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ আৰু শ্ৰীমান মুক্তি নাথ শৰ্ম্মা বৰবৰুৱাৰ ত্ৰ আৰু চেষ্টাই সেই কাৰ্য্যত অনেক বল দিছে; আৰু "সুৰ-বিজয়" নামৰ তেওঁলোকৰ নতুন নাটে সেই কাৰ্য্যক আৰু গজগজীয়া কৰিলে। "ছয়বাগৰ জয়স্থান কামৰূপ" এই সুসমাচাৰ (Gospel) শুনাবলৈ আজি "সুৰ-বিজয়" সকলোকে আহ্বান কৰিছে। সেই আহ্বান শুনি আমাৰ মনো আনন্দত আপ্লুত হৈছে। সঙ্গীত বিদ্যাত কামৰূপে যে চিৰকাল নিজৰ বিশেষত্ব ৰক্ষা কৰি সেই বিদ্যাত চৰম উৎকৰ্ষলাভ কৰিছিল, সেই কথা প্ৰাচীন—মহাভাৰত, ৰামায়ণ আদি সংস্কৃত গ্ৰন্থত থাকিলেও, সেই সমাচাৰ আজি স্পষ্টকৈ আমাক শুনাইছে "সুৰ-বিজয়ে"। এই বাবেই বৰবৰুৱা যুগলৰ "সুৰ-বিজয়" অসমীয়াৰ পক্ষে সুসমাচাৰ। শুনা! শুনা! ৰাণ-ৰাণিণীৰ সম্ৰাট সাম্ৰাজ্ঞী ভৈৰৱীৰ জন্ম আৰু কৰ্ম্মস্থান অসম কামৰূপ! এই গৌৰৱ-বিমণ্ডিত আনন্দৰ বাতৰি তোমাক বিতংকৈ দিছে "সুৰ-বিজয়ে"।

"ৰাসন্তীৰ অভিষেক" আৰু "লুইত কোঁৱৰ"ৰ দৰে "সুৰ-বিজয়ো" যে অসমীয়াৰ আদৰৰ পাত্ৰ হব, তাত আমাৰ সন্দেহ নাই। ঈশ্বৰ পিতা-পুত্ৰ বৰদলৈ যুগলক কুশলে ৰাখক। *

* "সুৰ-বিজয়"—এখনি শিশু গীতি-নাটিকা; ৰচয়িতা—শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা বৰবৰুৱা আৰু শ্ৰীযুত মুক্তি নাথ শৰ্ম্মা বৰবৰুৱা।

ধৰ্ম্ম কাক কয়

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ শ্ৰুতিকৰ বি-এ

সাধাৰণতে আমাৰ মানুহে ভাবে যে ভাৰতত ধৰ্ম্ম বহুত। কিন্তু সেইটো সত্য বুলি আমি কব মোৱাৰোঁ। যদিও শাখা ধৰ্ম্ম ভাৰতত বহুত দেখা যায়—তথাপি সকলো ধৰ্ম্মৰে এক মূল ধৰ্ম্ম আছে সেইটো হৈছে "আৰ্য্য ধৰ্ম্ম।" এই আৰ্য্য ধৰ্ম্মৰ মতে জগতখন এক আকস্মিক ঘটনা নহয় (Chance), ইয়াৰ এটা নিয়মিত গতি (Order and cosmos) আছে। এই জগতৰ প্ৰত্যেক বস্তুৰ ইটোৰ লগত সিটোৰ এক পৰস্পৰ সম্বন্ধ আছে। এই জগতৰ প্ৰত্যেক বস্তুটোকে ইটোৱে লগত আনটোৱে শৃঙ্খলা লগাই সি সুতই ধৰি আছে সিয়েই ধৰ্ম্ম। এই ধৰ্ম্ম সংস্কৃতৰ "ধৃ" ধাতুৰপৰা আহিছে। "ধৃ" ধাতু ধাৰণ কৰা অৰ্থৰ ব্যৱহৃত হয়। ধৰ্ম্ম নাথাকিলে অৰ্থাৎ কিহবাই এই জগতৰ বস্তু বিলাকক ধাৰণ কৰি নাথাকিলে একে দিনাই জগতৰ ধ্বংসৰ দিনে দেখা দিব আৰু লগে লগে জগতবো অস্তিত্ব নাইকিয়া হব। এইখিনিতে এটা প্ৰশ্ন হব পাৰে যদি গোটেই জগতক ধৰ্ম্মই ধাৰণ কৰি আছে, তেন্তে "অধৰ্ম্ম" (Disorder) বোলা শব্দটো উৎপত্তি হল কৰপৰা? এই প্ৰশ্নৰ উত্তৰত কব লাগিব যে জগতত অধৰ্ম্মও আছে, কিন্তু সি ক্ষণস্থায়ী, এই অধৰ্ম্মই মাত্ৰ জগতৰ এটা অংশকহে (Particular part of the whole) কিছু সময়ৰ কাৰণে আক্ৰমণ কৰিব পাৰে। এতিয়া দেখা গল যে ধৰ্ম্ম কোনো স্বেচ্ছাচাৰী ৰজাৰ বা প্ৰতাপী লোকৰ আদেশ মাত্ৰ কৰা বিশ্বাস নহয়। ই মূল কাৰণত (Principle of reason) কৰা বিশ্বাস। যি বিশ্বাস সকলো মানুহে নিজ ইচ্ছাকে কৰিবলৈ বাধ্য। এই ধৰ্ম্ম জগতৰ কোনো এক ব্যক্তিৰ কাৰণে নহয়, ই গোটেই জগতৰে এক উমৈহতীয়া সম্পত্তি। যি সূত্ৰে গোটেই জগতকে ধাৰণ কৰি আছে সি কাৰো একচেটীয়া সম্পত্তি হব নোৱাৰে। যি সূত্ৰই (Principle) গোটেই জগতৰ প্ৰত্যেক অংশক প্ৰত্যেকৰ লগত বান্ধি থৈছে সেয়ে ধৰ্ম্ম। জগতৰ প্ৰত্যেক বস্তুৰে আৰু প্ৰত্যেক ব্যক্তিৰে প্ৰত্যেকৰ লগত এক ঘনিষ্ঠ সম্বন্ধ। প্ৰত্যেক ব্যক্তিৰ ধৰ্ম্ম যদিও

বেলেগ, তথাপিও সেই বিভিন্ন ধর্ম্মবোৰ এক উদ্দেশ্য আছে—সি হৈছে জগত ধাৰণ বা জগতৰ মঙ্গল। সেই কাৰণে ধাৰ্ম্মিক মানুহ সেই জনেই যি সুন্দৰকৈ বুজি উঠে যে তেওঁ এই জগতৰ এক ক্ষুদ্ৰ অংশ, আৰু তাৰ লগত গোটেই জগতৰে সম্বন্ধ আছে। সেই কাৰণে তেওঁ যি কৰে সেয়েই গোটেই জগতকে ফল দিব। অধাৰ্ম্মিক সেই জনেই যি সকলো মাত্ৰ নিজৰ স্বাৰ্থৰ কাৰণে ভাবে, আৰু কেতিয়াও আনৰ কাৰণে বা জগতৰ কাৰণে ভাবি নাচায়। যদি এনে মানুহৰ সংখ্যা বেছি হয় তেতিয়া ধৰ্ম্ম লোপ পাব আৰু জগতবো অস্তিত্ব নাইকিয়া হব। সেই কাৰণে জগতৰ সকলো ধৰ্ম্মই তেনে মানুহক ঘৃণা কৰি আহিছে আৰু কৈছে স্বাৰ্থপৰতা সকলো পাপৰ মূল।

যদিও বহুত শাখা ধৰ্ম্ম দেখা যায়, আৰু ইটোৰ লগত সিটোৰ কিছু অমিলও দেখা হায়, তথাপি প্ৰত্যেকটোৰে সেই মূল ধৰ্ম্মৰ লগত বিশৰ সম্বন্ধ। সকলো ধৰ্ম্মৰ মুখ্য উদ্দেশ্য সেই আদ্য ধৰ্ম্মৰ নৈতে একে। যেনেকৈ নাক, চকু, কাণৰ সুকীয়া সুকীয়া কাম থাকিলেও এই সকলোটিবে উদ্দেশ্য একে জ্ঞানৰ সম্বুলি গোটোৱা (materials of knowledge) সেইদৰে বিভিন্ন ধৰ্ম্মবো মূল উদ্দেশ্য এক, জগতক ধাৰণ কৰা। এই সকলো ধৰ্ম্মই একমুখে স্বীকাৰ কৰিছে যে অধৰ্ম্মই মহাপাপ। ইয়েই সকলো পাপৰ মূল কাৰণ। সেই কাৰণে যি এই বাটৰ গতি লয় তাৰ কোনো বকমে নিস্তাৰ নাই। তাৰ পাপৰ পায়শ্চিত্ত হবই লাগিব। সকলো কামৰ ফল আছে। ভাল কামৰ সুফল আৰু বেয়া কামৰ কুফল। ই মিছা হলে জগতখনৰ যে এক গতি আছে সিও মিছা হব। অধৰ্ম্ম কৰিলে বা পাপৰ আশ্ৰয় ললে তাৰ প্ৰায়শ্চিত্ত হবই লাগিব। (Action has its re-action) যদি এই জনমত নহয় তেন্তে সি জন্মত বা মৃত্যুৰ পাছত হলেও হব লাগিব। জন্ম আৰু মৃত্যু একো নহয় মাত্ৰ স্থিতি আৰু ধ্বংস। জগতৰ সকলো বস্তু ধ্বংসশীল। জন্মৰ পাছত মৃত্যু আৰু মৃত্যুৰ পাছত জন্ম চকৰিৰ দৰে ঘূৰিবই লাগিছে (Things revolve in a cyclic order.) আত্মাৰ মৰণ ক'তো নাই। এই কাৰণেই গীতাত কৈছে :—

"বাসাংসি জীর্ণানি যথা বিহায়
নবানি গৃহ্নাতি নবোঽপরাণি
তথা শরীরাণি বিহায় জীর্ণান্যন্যানি
সংযাতি নবানি দেহী ."

এই আত্মাৰ বাহিৰে সকলো ধ্বংসমুখী আৰু ধ্বংস পাছত পুনৰ জন্ম। আনকি চন্দ্ৰ সূৰ্য্যবো এদিন প্ৰলয় হব আৰু তাৰ পাছত পুনৰ আবিৰ্ভাব। তেন্তে পাপ কৰিলে এই জন্মত শাস্তি নাপালে ভাবিব নালাগে যে সি পৰিত্ৰাণ পালে। এই জন্মত নহলে ঘূৰি জন্মত সেই পাপৰ পায়শ্চিত্ত ভুগিবই। পাপ কৰিলে জগতৰ গতিৰ বিপৰীতে যোৱা হয় দেখিয়েই সেই পাপীৰ জন্ম জন্মান্তৰে নিস্তাৰ নাই।

জগতৰ প্ৰাণীবিলাকক যি শক্তিয়ে নিজৰ বশ কৰিবলৈ উদগাইছে সেই শক্তিৰ নাম হৈছে তৃষ্ণা (Desire)। এই তৃষ্ণাই জগতৰ প্ৰাণীক এক কৰ্ম্ম পাছত আন কৰ্ম্ম কৰিবলৈ উদগনি দি মন যন্ত্ৰৰ চালক হৈ আছে। কেতিয়াবা এই তৃষ্ণা বেয়া হব পাৰে আৰু কেতিয়াবা ভাল হব পাৰে। সেই কাৰণে প্ৰত্যেকে সেই তৃষ্ণাই চলাই নিয়াৰ পূৰ্ব্বেই ভাবিব লাগিব ইয়াৰ উদ্দেশ্য কেনি।

জগতৰ সকলো প্ৰাণীকে নিজৰ দৰে ভাবি, যি কাৰ্য্য কৰা হয় তাক লোকৰ ভালৰ কাৰণে কৰি, নিজৰ স্বাৰ্থপৰতা বিসৰ্জ্জন দি যি জগতত চলিব পাৰে তেৱেঁই ধাৰ্ম্মিক আৰু যি শক্তিয়েই জগতৰ সকলোকে এই মূল মন্ত্ৰৰে আবিষ্ট দবি আছে সেয়ে ধৰ্ম্ম।

"মাতা চ পার্ব্বতী দেবী, পিতা দেবো মহেশ্বরঃ
ভ্রাতরো মানবাঃ সর্ব্বে, স্বদেশে ভুবন ত্রয়ম্"
এয়ে ধৰ্ম্মৰ মূল উদ্দেশ্য।

বিশ্ব-প্ৰবাহ

পাত নোহোৱা এবিধ ফুল

সুমাত্ৰা দ্বীপত পাত নোহোৱা এবিধ ফুল আছে। ইয়াৰ আবিষ্কাৰক ডাৰ ষ্টেমফৰ্ড বাফ্‌লছ আৰু ডক্তৰ আৰ্ণল্ডৰ নাম অনুসৰি ইয়াৰ নাম থোৱা হয় বাফ্লেছিয়া আৰ্ণল্ডি



সুমাত্ৰা দ্বীপত গজা পৃথিবীৰ বৃহত্তম ফুল বাফ্‌লেছিয়া আৰ্ণল্ডি

(Rafflesia Arnoldi)। এই বিশ্ব ফুল পৃথিবীৰ ভিতৰত আটাইতকৈ বৃহৎ বুলি পৰিগণিত হৈছে। ইয়াৰ ঘেৰটো ৩ ফুট বহল। এই ফুলটো বগুমুখাৰ দৰে এবিধ আঙুৰ গছৰ শিপাবপৰা গজে। ইয়াৰ মাজ ভাগত এটি মধুকোষ আছে আৰু এই মধুকোষৰ আকৃতি এটা হাতীমুজীয়া বাটিৰ নিচিনা। এই কোষটোত প্ৰায় ৬ সেৰমান পানী ধৰে। ইয়াৰ বৰণ হালধীয়া আৰু ইয়াৰপৰা এবিধ দুৰ্গন্ধ বাষ্প বাহিৰ হয়। এই গোন্ধ আৰু হালধীয়া বঙে জাকে জাকে মাখি আকৰ্ষণ কৰে। তেতিয়া এই ফুলটো মৰহি যায় তেতিয়া ইয়াৰপৰা এবিধ জুলীয়া পদাৰ্থ বাহিৰ হয় আৰু এই পদাৰ্থৰ ওপৰত গুটি সৃষ্টি হৈ ওপজি থাকে। পিছে কোনো সময়ত কোনোবা জন্তুৰ ভৰিত এই গুটিবোৰ লাগি যদি আঙুৰৰ শিপাত পৰে তেনেহলে তাৰপৰা আকৌ এই ফুলৰ জন্ম হয়।

স্বৰ্গীয় জেম ডাহেৰ



নয়ানগৰৰ স্বৰ্গীয় জেম ডাহেৰৰ পিতলৰ প্ৰতিমূৰ্ত্তি

এই পিতলৰ প্ৰতিমূৰ্ত্তিটো স্বৰ্গীয় জেম ডাহেৰৰ আৰু ইয়াক বিখ্যাত ভাস্কৰ মিঃ হাৰাৰ্ট হেছেলটাইনে নিৰ্ম্মাণ

কৰিছিল। এই জনা জেম ছাহেব প্ৰখ্যাত 'বগজি'ৰ দেউতাক। বৰ্ত্তমান এই মূৰ্ত্তিটো নৱানগৰৰ এটি সৰু



জেম ছাহেব

হৃদৰ মাজত থকা এটা দুৰ্গৰ সমুখত প্ৰতিষ্ঠিত আছে।

আন এবিধ মাখি ধৰা গছ

ছিলনত এবিধ মাখি ধৰা গছ (Giant Fly-catching Plant) আছে। ইয়াৰ গোন্ধটো মৰা, গেলি পচি যোৱা জন্তুৰ গোন্ধৰ নিচিনা। ফুলটোৰ মাজ খণ্ডত দুই ফুটৰপৰা আঢ়ৈ ফুট পৰ্য্যন্ত দীঘল নেজ থকা এটি মোনা আছে। ৰাতিপুৱা বেলা জাকে জাকে মাখি উৰি গৈ এই ফুলটোত পৰে আৰু মধুকোষৰ ভিতৰত সোমাই গোটেই দিনটো আৰু ৰাতিটো মধু পান কৰি পিছ দিনা ওলাই যায়। এই ফুলটো ইমান দুৰ্গন্ধ যে কেতিয়াবা কুকুৰবিলাকে মৰা জন্তুৰ গোন্ধ বুলি ভুল কৰে। ইয়াৰ শিপা সাপে কামোৰাৰ ঔষধ বুলি ব্যৱহৃত হয়। ইয়াক লগত লৈ ফুৰিলে সাপে কামুৰিব নোৱাৰে বুলি মধ্য আমেৰিকাৰ অধিবাসীবিলাকৰ এটা ধাৰণা আছে। আৰু সেইদেখিয়েই এওঁলোকে হাবিত ফুৰিবলৈ গলে ইয়াৰ শিপা লগত লৈ যায়। এই ফুলৰ প্ৰথম জন্ম ঠাই মধ্য



ছিলনৰ এবিধ দুৰ্গন্ধ ফুল

আমেৰিকাহে, তাৰ পাছতহে ইয়াক ছিলনলৈ আমদানী কৰি ইয়াৰ খেতি কৰা হয়।

বাৰ্ত্তাৱাহী পাৰ চৰাই



ৰ্ডৰ ডিউকৰ পত্নীয়ে সম্ৰাট পঞ্চম জৰ্জ্জলৈ পাৰ চৰাইৰ যোগে অভিনন্দন পঠাইছে।

সম্ৰাট পঞ্চম জৰ্জ্জৰ যোৱা ৰূপালী জুবিলী উৎসৱ উপলক্ষে ৰ্ডৰ ডিউক আৰু ডাচেছ উভয়ে ৰাজ প্ৰতিনিধি স্বৰূপে ১১ই মে তাৰিখে এডিনবৰত এই উৎসৱত যোগদান কৰে। তাৰ লৰা-ছোৱালীবিলাকে এই উৎসৱত নানা ৰকম খেল-ধেমালি কৰি দেখুৱায়। খেল আৰম্ভ হোৱাৰ ঠিক আগতে ডিউকৰ পত্নীয়ে ৬ টা বাৰ্ত্তাৱাহী পাৰ চৰাই থকা এটা পাচি খুলি দিয়ে। এই পাৰ কেইটাই এডিনবৰৰ ১৭,০০০ লৰা-ছোৱালীয়ে ৰজালৈ দিয়া অভিনন্দনৰ বাতৰি কঢ়িয়াই নিছিল। এই বাতৰি দিয়াৰ লগে লগে ইহঁতে ইমান ক্ষিপ্ৰ গতিৰে শূন্যৰ ওপৰেদি উৰি গৈছিল যে ক্ষন্তেকৰ ভিতৰতে ইহঁত বিৰাট জনমণ্ডলীৰ দৃষ্টিৰ বহিৰ্ভূত হয়।

আইৰিছ ইষ্টাৰ বিদ্ৰোহৰ বাৎসৰিক উৎসৱ



ৰ্ড আইৰিছ ইষ্টাৰ বিদ্ৰোহৰ বাৎসৰিক উৎসৱত প্ৰেছিডেণ্ট ডি, ভেলেৰাই এখনি প্ৰস্তৰ মূৰ্ত্তি উন্মোচন কৰিছে।

কিছুমান দিনৰ আগতে আইৰিছ ইষ্টাৰ বিদ্ৰোহৰ ঊনবিংশতম বাৎসৰিক উৎসৱ সম্পন্ন হল। প্ৰেছিডেণ্ট ডি, ভেলেৰাই নিজে এই উৎসৱত যোগদান দি এটি সোৱঁৰণী প্ৰস্তৰ মূৰ্ত্তি উন্মোচন কৰিছিল। মূৰ্ত্তিখনৰ তলত বৃটিছক 'বিদেশী' বুলি বৃটিছৰ বিৰুদ্ধে বৰ বেয়াভাৱে কিছুমান কথা বৰ্ণনা কৰি লিখা হৈছিল।

ৰুমানিয়াৰ "ৰবিন হুড"

ৰুমানিয়াৰ মলডেভিয়া প্ৰদেশৰ উত্তৰ পিনে জৰ্জ্জ গৰিউ নামে এজন বৰ ক্ষমতাশালী দস্যুপতি আছিল।



ৰুমানিয়াৰ "ৰবিন হুডে" কাৰাগাৰত এটা নিউজ ৰীল কোম্পানিৰ প্ৰতিনিধিৰ আগত নিজৰ বক্তব্য মাইক্ৰফন যন্ত্ৰৰ সমুখত পঢ়ি শুনাইছে। তেওঁৰ দুয়োকাষে দুটা ছন্তৰি।

তেওঁ কাৰাগাৰলৈ যোৱাৰ আগতে অগণন লুট-পাট আৰু ডকাইতি কৰিছিল। কিন্তু তেওঁক এজন জাতীয় বীৰ বুলিহে জনা গৈছিল। কিয়নো এওঁ ধনী মানুহৰপৰা টকা লুট কৰি দুখীয়া মানুহৰ মাজত বিলাই দিছিল। পিছত অৱশ্যে এওঁক ছৰকাৰে কাৰাগাৰত বন্দী কৰি থয়।

অসমীয়া পৰিভাষা

[ভূ-বিজ্ঞান]

—শ্রীযুত নন্দীপ্রসাদ কটকী এম-এছ-ছি

এতিয়াঁকৈ আমাৰ সকলো স্থল কলেজৰ শিক্ষা ইংৰাজী ভাষাৰ ভিতৰেদি দিয়া হৈছে। এনে বিদেশী ভাষাৰে শিক্ষা দিয়াত ছাত্রসকলৰ প্রকৃত শিক্ষা হোৱা নাই বুলি পণ্ডিত আৰু বিশেষজ্ঞসকলে মত দিয়াত মাতৃ-ভাষাৰে শিক্ষা বিস্তাৰ কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ে হাতত লয়। কলিকতা বিশ্ববিদ্যালয়ৰ অন্তর্ভুক্ত অসমৰ স্থল সমূহতো অসমীয়া ভাষাৰে শিক্ষা দিবৰ কাৰণে স্থিৰ কৰিছে। মাতৃ-ভাষাৰে শিক্ষা বিস্তাৰ কৰা যে কিমান আৱশ্যক তাক সকলোৱে আজি উপলব্ধি কৰিব পাৰিছে। বিজ্ঞানৰ শিক্ষা মাতৃ-ভাষাৰে দিবলৈ হলে কিতাপ আৰু তাৰ লগে লগে বৈজ্ঞানিক শব্দবিলাকৰ পাৰিভাষিক শব্দৰ নিতান্ত প্রয়োজন হব। বঙ্গভাষাত এনে প্রথাৰে শিক্ষাবিস্তাৰৰ কাৰণে কলিকতা বিশ্ববিদ্যালয়ে বৈজ্ঞানিক পৰিভাষা কৰিবৰ কাৰণে বিভিন্ন বিজ্ঞান বিষয়ত বিশেষজ্ঞ লোক নিযুক্ত কৰি এই শুকতৰ কামত বহুতো আগ বাঢ়িছে। অসমতো এই কামত কিমান আগবঢ়া হৈছে তাক জনা হোৱা নাই। এতিয়া ভূ-বিজ্ঞানৰ আৱশ্যকীয় ইংৰাজীৰ "এ" আখৰেৰে আৰম্ভ কৰা ইংৰাজী শব্দৰ অসমীয়া পাৰিভাষিক শব্দ তলত দিলোঁ। ইংৰাজীৰপৰা অসমীয়ালৈ পাৰিভাষিক শব্দ কৰোতে আৱশ্যক বুজি ইংৰাজী, হিন্দী, সংস্কৃত, আৰু বঙালী শব্দ বথা হৈছে।

(1) abrasion—শান
(2) abrasive—শানচূর্ণ
(3) absorption—শোষণ
(4) adsorb—শোহা
(5) abyssal—অগাধ
(6) accessory—আনুষঙ্গিক, অতিৰিক্ত
(7) accidental—প্রাকিণ্ড
(8) accicular—বেজিয়া
(9) action—ক্রিয়া
(10) active—ক্রিয়াশীল
(11) ,, force—ক্রিয়াশক্তি
(12) adamantine—হৈৰিক
(13) adit—খনিপথ
(14) adjacent—সংলগ্ন
(15) adductor—সংযোজক
(16) ,, muscle—মাংসপেশী
(17) adult—পৰিণত, বয়স্ক
(18) ,, stage—পৰিণত অৱস্থা
(19) aeolian—বায়ুবীয়
(20) aerolith—বোমাস্ম
(21) affinity—সম্পর্ক
(22) agate—এগেট্
(23) age—যুগ
(24) agent—কাৰক
(25) agglomerate—এগ্লমাবেট্
(26) agglomeration—পিণ্ডিভবন
(27) alabaster—এলাবাষ্টাৰ
(28) allotriomorphic—আকৃতিহীন
(29) allotropy—বহুৰূপতা
(30) alloy—মিশ্র ধাতু
(31) alluvial—পললময়, পাললিক
(32) alluvion—চৰ, চৰাভূমি
(33) alluvium—পলল, পলি ; পুলিল

(34) alteration—পৰিৱর্ত্তন, বিকাৰ
(35) alternate—একান্তৰ
(36) altitude—উচ্চতা
(37) alum—ফিট্‌কিৰি
(38) ,, shale—,, শেল
(39) amber—জাংফাই
(40) amethyst—এমেথিষ্ট
(41) ammonite—এমনাইট
(42) amorphons—আকাৰহীন
(43) amphibia—উভচৰ
(44) amygdaloidal—বাদামাকাৰ
(45) analyser—বিশ্লেষক
(46) angle—কোণ
(47) ,, solid—ঘন কোণ
(48) angular—কোণিক
(49) anhydrous—অনাৰ্দ্র, নিৰোদক
(50) anisotropic—অসমাদিকত্ব
(51) anamalous—বিধি বিৰুদ্ধ
(52) antartic circle—কুমেৰুবৃত্ত
(53) anterior—সম্মুখস্থ
(54) anthracite—এনথ্রাছাইট
(55) anticline—এণ্টিক্লাইন
(56) anticlinal axis—অক্ষ
(57) ,, crest—শীর্ষ
(58) antler—মৃগশৃঙ্গ
(59) anteclinorium—এণ্টিক্লাইনবিয়ম
(60) anus—মলদ্বাৰ
(61) aperture—ছিদ্র
(62) ape—এপ
(63) apex—শিৰ
(64) apophyses—এপফিছ
(65) aquaigneous—অপাগ্নিয়
(66) aquatic—জলচৰ
(67) orborescent—তৰুনিভ
(68) archean—আৰ্কিয়ান
(69) arctic circle—সুমেৰুবৃত্ত
(70) ,, region—সুমেৰুপ্রদেশ
(71) arenaceous—বালিয়া
(72) argentiferous—ৰৌপদ
(73) argillaceous—মাটিয়া
(74) arid—শুষ্ক, নীৰস, শুকান
(75) arm—বাহু
(76) artesian well—উদ্ধৃত কুঁৱা
(77) articulation—সন্ধি, গ্রন্থি
(78) artiodactyla—সমখুৰী
(79) asbestos—এছবেষ্টছ
(80) ashbed—ভস্মস্তৰ
(81) ashphalt—এছফাল্ট
(82) assimilate—জীণ যোৱা
(83) assortation—বছা
(84) astringent—কেহা
(85) asymmetry—অসমমিতি
(86) asymmetrical—অসমমিতিক
(87) atmosphere—বায়ুমণ্ডল
(88) atoll—এটল
(89) augen—নেত্রবৎ
(90) aureole—মণ্ডল
(91) auriferous—স্বর্ণদ
(92) autoclastic—স্বখণ্ডিত
(93) avalanche—তুষাৰ স্তূপ
(94) axis—অক্ষ
(95) axial—অক্ষিয়
(96) axial plane—অক্ষতল
(97) axial ratio—অক্ষিয় অনুপাত
(98) axis of crystal—স্ফটিকাক্ষ
(98) axis of symmetry—সমমিতি অক্ষ
(100) azoic—এজয়িক, নির্জ্জীবকা

ছিলন মেলেৰীয়া

—ডাঃ শৰৎচন্দ্ৰ বৰুৱা এম-বি

অলপতে ছিলনত হৈ যোৱা মেলেৰীয়াৰ কথা আটাইয়ে শুনিছে। আৰু শ্ৰীযুক্তা অমৃত কউৰ আহি মেলেৰীয়া প্ৰপীড়িত ছিলনৰ কাৰণে অৰ্থ সাহায্য খোজাত সহায়ো অনেকেই কৰিছে। এই মেলেৰীয়াৰ এটা চমু বিৱৰণ তলত দিয়া গল।

১৯২৮ আৰু ১৯১৯ চনত পৃথিবীব্যাপি হোৱা ইনফ্লুয়েঞ্জা আৰু ১৯২০ চনত কছিয়াত হোৱা মেলেৰীয়াৰ পাছতেই ছিলনৰ মেলেৰীয়াই তৃতীয় স্থান পায়। আমাৰ অসমতো গোটেই বছৰ মেলেৰীয়া হয়। বাৰিষা ইয়াৰ প্ৰকোপ বেছি হয়, কোনো বছৰত কিছু কম, কোনো বছৰত বেছি। এই কম বেছি হোৱাৰ আছল কাৰণ বতৰৰ ওপৰত, বিশেষকৈ বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে। আজিকালি সকলোৱেই জানে যে এনোফেলিন মহৰপৰাই এই বেমাৰ হয়, যি বছৰত এই মহ বেছিকৈ বৃদ্ধি হবলৈ পায় সেই বছৰতে এই বেমাৰৰ প্ৰকোপ বেছি হয়। যি বছৰত বৰষুণ বেছি হৈ পানী বেছি হয় সেই বছৰত মেলেৰীয়া কম হয়; কাৰণ বেছি পানীত মহে কণী পাৰিবলৈ সুবিধা নাপায় আৰু বেছি বৰষুণে মহৰ কণীবোৰ উটাই নি ধ্বংস কৰে। মহৰ বৃদ্ধি কম হলেই মেলেৰীয়া কম হয়। সেইদৰেই যি বছৰত বৰষুণ কম হৈ থৰ লৈ হয় সেই বছৰতে মহৰ বৃদ্ধি বেছি হৈ মেলেৰীয়াযো ভীষণ আকাৰ ধৰে। কাৰণ কম পানীত মহে কণী পাৰি পোৱালি জগাবলৈ সুবিধা পায়।

ওপৰত কোৱা কথাবোৰপৰা বুজিব পৰা যাব ছিলনত এইবাৰ কিয় মেলেৰীয়া বেছি হল। যোৱা দুবছৰ ছিলনত নিয়মিত সময়ত সাধাৰণতে আগেয়ে হোৱা বছৰতকৈ বৰষুণ বেছি হৈছিল। নৈ, বিল, খাল ডোং পানীৰে ভৰি থকাত মহে পোৱালি জগাবলৈ সুবিধা নোপোৱাৰ কাৰণে মেলেৰীয়া সাধাৰণতে আগেয়ে হোৱাতকৈ কম আছিল। কিন্তু ১৯৩৪ চনৰ আৰম্ভণপৰাই বতৰৰ একেবাৰেই পৰিবৰ্ত্তন হৈ গল। বৰষুণ তেনেই কম হল, বতৰ ইমান খৰাং আছিল যে কোনো কোনো জিলাত খেতি বাতি কৰিব নোৱাৰাত দুৰ্ভিক্ষই দেখা দিলে, এই দীঘলীয়া খৰাং বতৰত নৈ, বিলবোৰ শুকাই গৈ পানী কম হোৱাত মহে কণী পাৰি পোৱালি বৃদ্ধি কৰিবলৈ সুবিধা পালে, আৰু এয়েই ছিলনৰ মহামাৰী মেলেৰীয়াৰ আছল কাৰণ হৈ পৰিল।

এই মেলেৰীয়া এনে ভীষণ হোৱাৰ কাৰণ তিনিটা। (১) ইয়াৰ আগৰ দুবছৰত মেলেৰীয়াৰ প্ৰকোপ অতি কম হোৱা, (২) দুৰ্ভিক্ষই মানুহক শক্তিহীন কৰা, (৩) মেলেৰীয়া-জীৱাণুগ্ৰাহক মহৰ সংখ্যা বেছি হোৱা। সাধাৰণতে এনেকুৱা মহ শতকৰা ৫।৭ টাহে পোৱা যায়, কিন্তু এইবাৰ ২৫৩০টা ছিলিল। এই মহবোৰে একেটা মানুহকে কেবাবাৰো কামুৰি বেছি জীৱাণু সুমাই বেমাৰটো বেছি মাৰাত্মক কৰিছিল। মেলেৰীয়া জীৱাণু তিনিবিধ। (১) বিনাইটাৰট্ৰিয়ান (২) কোৱাৰ্টান (৩) মেলিগনেণ্ট টাৰট্ৰিয়ান। ছিলন মেলেৰীয়াত (১) (৩) এই দুয়োবিধ জীৱাণুৱেই পোৱা গৈছিল। নবেম্বৰ, ডিছেম্বৰ, জানুৱাৰিলৈকে শতকৰা ৮০ টা বিনাইনটাৰট্ৰিয়ান পোৱা গৈছিল, কিন্তু ফেব্ৰুৱাৰিৰপৰা মেলিগনেণ্টটাৰ-ট্ৰিয়াননৰ প্ৰকোপ বেছি হল। এই মেলিগনেণ্টটাৰ-ট্ৰিয়াননৰ জীৱাণু তেজত বেছি হলেই মস্তিষ্কৰ শিৰবিলাকৰ তেজ চলাচল বন্ধ কৰি বোগীক চেতনাহীন কৰে, এনেকুৱা বিধ মেলেৰীয়াকেই "চেৰেব্ৰেল মেলেৰীয়া" বোলে। সাধাৰণতে ছিলনত ডিছেম্বৰ মাহত মেলেৰীয়া বেছি হয়, কিন্তু এইবাৰ নবেম্বৰতে মেলেৰীয়া বোগীৰ সংখ্যা খুব বেছি

হৈ গল। যি কেইখন জিলাত আগেয়ে মেলেৰীয়া নহয় তাতো এইবাৰ মেলেৰীয়াই আক্ৰমণ কৰিলে। গোটেই ঘীণটোতে কিমান মানুহ এই মহামাৰী মেলেৰীয়াত ভুগিছিল তাৰ একো ছবকাৰী সঠিক বিৱৰণ এতিয়াও পোৱা নাই। কিন্তু হাস্পতালবিলাকৰ বোগীৰ সংখ্যাৰ পৰা কিছু অনুমান কৰিব পাৰি। তলত কেটামান হাস্পতালৰ বোগীৰ সংখ্যা দিয়া হল।

হাস্পতালৰ নাম	মেলেৰীয়া বোগীৰ সংখ্যা ১৯৩৪	মেলেৰীয়া বোগীৰ সংখ্যা ১৯৩৫	মাহ
ধাম বুকানা	৬৩৭৩	৩২২৩৪	জানুৱাৰি, ফেব্ৰুৱাৰি, মাৰ্চ
কাহু গা-পৰা	৬৭০৪	২৮৮৪৮	"
কেংগেলে	.....	৫৮০০০	"

ওপৰত উল্লেখ কৰা হাস্পতালৰ বোগীৰ সংখ্যাকে আছল সংখ্যা বুলি নোৱাৰি। কাৰণ কেৱল হাস্পতালনৈ অহা বোগীৰ সংখ্যাহে ইয়াত পোৱা গল। যিবিলাক হাস্পতালনৈ আহিব নোৱাৰিছিল সেইবিলাকবো সংখ্যা লগে লগে ইয়াতকৈ বহুত বেছি হব। এইটো নিশ্চয় যে বহুত বোগী হাস্পতাললৈ অনেক কাৰণত আহিব পৰা নাছিল।

এই সময়ত কিমান মানুহ মৰিছিল তাৰ এটা ছবকাৰী বিপোৰ্ট পোৱা গৈছে। তাৰপৰাও এই মহামাৰী মেলেৰীয়াৰ প্ৰকোপ কিছু অনুমান কৰিব পাৰি।

মাহ	মৃত্যু সংখ্যা
নবেম্বৰ	১২২০০
ডিছেম্বৰ	১৯৭৬৮
জানুৱাৰি	৩৩২৫৫
ফেব্ৰুৱাৰি	২৬০০০
	৯৪,২০৩

এই ওপৰত দিয়া ৯৪,১৯৩ মৃত্যু সংখ্যাবপৰা আমি ৪০০০০ বাদ দিব পাৰো, কাৰণ প্ৰত্যেক বছৰেই প্ৰায় ইমানখিনি মানুহ এই কেমাহত সাধাৰণতে মৰে। বাকী ৫৪১৯৩ হাজাৰ এই মহামাৰীত চাৰিমাহত মৰিলে বুলি ধৰিব পাৰি। কিন্তু গাওঁবুঢ়াবিলাকৰ বিপোৰ্টমতে মৃত্যুৰ সংখ্যা ইয়াতকৈয়ো বেছি। উদাহৰণ স্বৰূপ কৰণেংগলা জিলাত ছবকাৰী বিপোৰ্টমতে মৃত্যু সংখ্যা নবেম্বৰ মাহত ১৩৯৪, গাওঁবুঢ়ামতে ১৭৫২, ডিছেম্বৰত ছবকাৰী বিপোৰ্টমতে ৩৪৩৩, গাওঁবুঢ়াৰ মতে ৫৫২০, এই বিভিন্নতাৰ কাৰণ এই বুলি নিৰ্ণয় কৰিছে যে, এই সময়ত মৃত্যু সংখ্যা বুলিব নোৱাৰি। কাৰণ কেৱল হাস্পতালনৈ আহি বোগীৰ সংখ্যাহে ইয়াত পোৱা গল। যিবিলাক হাস্পতালনৈ আহিব নোৱাৰিছিল সেইবিলাকবো সংখ্যা লগে লগে ইয়াতকৈ বহুত বেছি হব। এইটো নিশ্চয় যে বহুত বোগী হাস্পতাললৈ অনেক কাৰণত আহিব পৰা নাছিল।

এই সময়ত কিমান মানুহ মৰিছিল তাৰ এটা ছবকাৰী বিপোৰ্ট পোৱা গৈছে। তাৰপৰাও এই মহামাৰী মেলেৰীয়াৰ প্ৰকোপ কিছু অনুমান কৰিব পাৰি।

মাহ	মৃত্যু সংখ্যা
নবেম্বৰ	১২২০০
ডিছেম্বৰ	১৯৭৬৮
জানুৱাৰি	৩৩২৫৫
ফেব্ৰুৱাৰি	২৬০০০
	৯৪,২০৩

এই ওপৰত দিয়া ৯৪,১৯৩ মৃত্যু সংখ্যাবপৰা আমি ৪০০০০ বাদ দিব পাৰো, কাৰণ প্ৰত্যেক বছৰেই প্ৰায় ইমানখিনি মানুহ এই কেমাহত সাধাৰণতে মৰে। বাকী ৫৪১৯৩ হাজাৰ এই মহামাৰীত চাৰিমাহত মৰিলে বুলি ধৰিব পাৰি। কিন্তু গাওঁবুঢ়াবিলাকৰ বিপোৰ্টমতে মৃত্যুৰ সংখ্যা ইয়াতকৈয়ো বেছি। উদাহৰণ স্বৰূপ কৰণেংগলা জিলাত ছবকাৰী বিপোৰ্টমতে মৃত্যু সংখ্যা নবেম্বৰ মাহত ১৩৯৪, গাওঁবুঢ়ামতে ১৭৫২, ডিছেম্বৰত ছবকাৰী বিপোৰ্টমতে ৩৪৩৩, গাওঁবুঢ়াৰ মতে ৫৫২০, এই

তাৰ স্থানীয় গৱৰ্ণমেণ্টে চিকিৎসাৰ কাৰণ ২।৩ মাইলৰ অন্তৰে অন্তৰে একোটাকৈ অস্থায়ী ডাক্তৰখানা খুলি দিছিল। তাৰ উপৰিও বেছবকাৰী অনেক চিকিৎসাৰ কেন্দ্ৰ খুলি মানুহবিলাকৰ চিকিৎসা কৰা হৈছিল। এজন বিখ্যাত মটৰ ব্যৱসায়ীয়ে তেওঁৰ বহুত মটৰ বোগী আৰু চিকিৎসক অনা নিয়াৰ কাৰণে সেই সময়ত দিছিল। এইটোও এটা ডাঙৰ বদান্যতা। এই বেমাৰৰ লগে লগে যি দুৰ্ভিক্ষই দেখা দিছিল, তাৰ কাৰণে মানুহৰ থোৱা বস্তু আৰু খেতিৰ কাৰণে শস্য বিলাই দিছিল। তাৰ উপৰিও মানুহবিলাকক দৰং, আলিবাট, নলা ইত্যাদিত কাম কৰিবলৈ দি সিবিলাকৰ উপাৰ্জ্জনৰ বাট উলিয়াই দিছিল।

এইবাৰ আমাৰ অসমতো বাৰিষাৰ আৰম্ভণপৰাই কেবাখনো জিলা, যেনেঃ—কামৰূপ, নগাওঁ ইত্যাদিত ভীষণ মেলেৰীয়াই দেখা দিছে। বৰষুণ আৰু বতৰৰ গতি দেখি বুজা যায় ইয়াৰ প্ৰকোপ আন বাৰতকৈ নিশ্চয় বেছি হব।

কোনো কোনো ঠাইত ছেবিজেল মেলেৰীয়াও ২।৪ টা হৈছে। গাঁৱে ভূঁইয়ে এইবিলাক নিবাৰণৰ কাৰণে লোকেল বোৰ্ডৰ ডাক্তৰ আৰু কম্পাউণ্ডাৰক মেলেৰীয়া এপিডেমিকৰ কাৰণে নিযুক্ত কৰিছে। এই নিয়োগ সন্তোষজনক নহলেও 'নাই মোমাইতকৈ কণা মোমাহে ভাল'। আমাৰ দেশত গাৱঁলীয়া হাস্পতালৰ সংখ্যা একেবাৰেই কম। যি কেইখন আছে সিও ইখনৰপৰা সিখনলৈ ভালেমান দূৰ। গাৱঁলীয়া খেতিয়কে খেতিৰ দিনত ১০।১২ মাইল বাট বুলি এবটল ঔষধৰ কাৰণে যোৱাটো অকল কষ্টকৰেই নহয় অসম্ভৱো।

খেতিৰ দিনতে এই মেলেৰীয়াৰপৰা আমাৰ খেতিয়কৰ কি দুৰ্দশা হয় তাক আমি সকলোৱে জানো, তেওঁলোকক এই ৰোগৰপৰা অলপ মুক্ত কৰিব পাৰিলে দেশৰ অনেক উপকাৰ হয়। যদি মেলেৰীয়াৰ ৫.৬ মাহ প্ৰত্যেক লোকেল বোৰ্ডে ষ'ত ৫।৬ মাইলৰ ভিতৰত কোনো চিকিৎসালয় নাই, তাত যদি চিকিৎসাৰ কেন্দ্ৰ খুলি দিয়ে তেন্তে অনেক উপকাৰ হব। চিকিৎসাৰ খৰচ 'বজেটত' অন্ততঃ আৰু দুগুণ বৃদ্ধি কৰা নিতান্ত প্ৰয়োজন। নদৰ আৰু মহকুমাৰ হাস্পতাল কেখনত সৰহ ধন খৰচ কৰে। কিন্তু প্ৰকৃততে চাবলৈ গলে আমাৰ স্থায়ী মানুহে তাৰ ফল খুব কমহে ভোগ কৰে। শতকৰা ৬০.৭০ টা ৰোগী বিদেশী নেপালী, হিন্দুস্থানী ইত্যাদি। অৱশ্যে তাত আমি অসন্তোষ নকৰোঁ। কাৰণ ৰোগী মাত্ৰেই চিকিৎসা পাব লাগে তেওঁলৈ সি যবে কি নহক। কিন্তু আমি কব খোজোঁ যে আমাৰ গাৱঁৰ চিকিৎসাৰ কাৰণে হাস্পতালৰ সংখ্যা বৃদ্ধি কৰিব লাগে।



অভিশাপনে প্ৰতিশোধ

গল্প—

—শ্ৰীযুত দীননাথ শৰ্ম্মা

.....তীব্ৰ বেদনাত জীৱনটো জলা-কলা হৈ গৈছিল! অন্ততাপৰ হোমানলে প্ৰাণ অস্থিৰ কৰি তুলিছে! উস্ কি অসহ্য স্মৃতিৰ দাহন! তেতিয়াতো মই ভৱা নাছিলোঁ, যে এনেকুৱা দিন এটাও আহিব পাৰে যিদিনা মই অশান্তিত ছটফটাই ফুৰিব লাগিব। তেতিয়া মোৰ সমুখত সংসাৰখন আছিল সৌন্দৰ্য্যৰ আকৰ, আনন্দৰ সঁচুৱা! বোমাঞ্চৰ মাজেদি দিনবোৰ পাৰ হৈ যৈগৈছিল! বনবীয়া লতাত পাইছিলোঁ কামিনীৰ স্পৰ্শ, গোলাপত দেখিছিলো সুন্দৰীৰ হাঁহি, পুৱাৰ অৰুণত অন্তৰ কৰিছিলো গাভৰুৰ বঙচুৱা গাল আৰু বতাহে যোগাইছিল চেনেহৰ বিহাৰ আচলৰ বা! কিন্তু ক'ত? আজিতো সেইবোৰৰ একো গম নাপাওঁ! সি যেন এটা সপোন,—এটা মায়াৰ প্ৰহেলিকাহে! কৰুণ সুন্দৰ সঙ্গীতৰ ধ্বনিৰ দৰেই সি আজি মোৰ অন্তৰত বাজি উঠিছে!

যৌৱনৰ জয়গানত মোৰ ইন্দ্ৰিয়বোৰ তেতিয়া মুখৰ হৈ উঠিছিল! ঠিক তেনে সময়তে বি, এ পৰীক্ষা দি ঘৰলৈ আহিছিলো। তাৰ দুদিনৰ পিছতে ঘৰত কিবা এটা সকাম হৈছিল। আজিও সেই দিনাৰ কথা মোৰ স্পষ্ট মনত আছে! সেই দিনাৰ স্মৃতিয়েই মোৰ আজিৰ বেদনাৰ সঙ্গী! দেউতা আছিল মৌজাদাৰ,—গাঁৱৰ হাকিম। হাকিমৰ দৰেই তেওঁৰ প্ৰতিপত্তি। কেৱল মৌজাদাৰ বুলিয়েই নহয়, দেউতাৰ আৰু কিছুমান এনে গুণ আছিল যিবিলাকৰ দ্বাৰা সাধাৰণতে মানুহৰ মন আকৰ্ষণ কৰিব পাৰিছিল! ককাইদেউ উকীল। মই কলেজত পঢ়া শিক্ষিত ডেকা। গতিকে আমাৰ আতিজাতেই আৰু সুকীয়াকৈ একো আহাৰ বিচাৰিব নালাগিছিল।

সকামৰ কাৰণে সেই দিনা আমাৰ ঘৰলৈ মানুহৰ ভালকৈয়ে সমাগম হৈছিল। সন্ধিয়াহে পূজা আৰম্ভ হব যদিও পুৱাৰপৰাই মানুহবোৰ ব্যস্ত হৈ পৰিছিল। চৰৱৰ পৰা ককাইদেউ আহি পাইছিলহি। চাকৰ-নাকৰ, গাঁৱৰ মানুহ আদিবে ঘৰখনত হুলস্থুল লাগি পৰিছিল! এই ব্যস্ততাৰ মাজত মোৰ কাম বুলিবলৈ একো নাছিল। মাজোন মাজে মাজে দুই এজন গাঁৱৰ হোজা বুঢ়া বুঢ়ীক 'বোপা' 'বোপাটি' বুলি মাতি কলেজ সম্পৰ্কে সোধা দুই এটা অদ্ভুত প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিল,—একোটা গৰ্ব্বিত তাচ্ছিল্যভৰা হাঁহিৰে। তাৰ উপৰি ন-বৌৰ ওচৰলৈ গৈ তেওঁক চাহৰ তদাৰক কৰি ব্যতিব্যস্ত কৰা আৰু আইৰপৰা স্নেহভৰা দুই এটা ভৎসনা লাভ কৰা আছিল মোৰ অন্যতম কাম। সন্ধিয়াৰ লগে লগে মোৰ আৰু এটা কাম বাঢ়িল। সি হৈছে সকামলৈ কোন কোন আহিছে তাঁৰ খবৰ বখা। এই জনী বকুলৰ ছোৱালী। বয়স বাৰ বছৰমান হব। বেছ ধুনীয়া মুখখন! চুলি কোছা কিচ্ কিচ কৰে ক'লা! ডাঙৰ হলে এজনী দেখনিয়াৰ গাভৰু হবগৈ! সৌ জনী বিধৱা পুহিতা নহয়নে? চটাৰ মাইকী যদিও যৌৱনৰ মাধুৰ্য্য এতিয়াও গাই-মুখে বিয়পি আছে! গাল দুখন কেনে বঙা, চকু দুটাই হাঁহিব লাগিছে! কোন কোন আহিছে তাৰ খবৰৰ সীমা মই ইয়াৰ ভিতৰতে আৱদ্ধ বাখিছিলো। মোৰ ভাবৰ ধাবাই বকুলৰ জীয়েক আৰু পুহিতাক কেন্দ্ৰ কৰিয়েই গতি কৰিছিল। কিন্তু তাতেই মই সন্তুষ্ট হব পৰা নাছিলো। মোৰ লোলুপ দৃষ্টিয়ে ইয়াতকৈও ভাল কিবাৰ সন্ধানত চঞ্চল হৈ উঠিছিল। হঠাৎ চোতালৰ সিমুৰে মোৰ দৃষ্টি থিৰ হৈ পৰিল! মোৰ শোণিতৰ গতি খৰ হল।—ভাবৰ প্ৰাৱাহ স্তব্ধ হৈ গল। কামনাৰ উন্মাদনাত মই নিজৰ অস্তিত্বকে কিছু সময়লৈ পাহৰি

গলো। চকু-মন-প্ৰাণৰ এক সংযোগেৰে কেতেকীক লক্ষ্য কৰিবলৈ ধৰিলো।

কেতেকী আমাৰ পামত কাম কৰা শত্ৰুঘ্নৰ জীয়েক! তাই আকৰী, মাতিব নোৱাৰে। আজি পামৰপৰা সকামলৈ বুলি মাক ফুলীয়াৰ লগত ঘৰলৈ আহিছে। আগৰেপৰা তাইক চিনি পাওঁ।—হাতৰ ইঙ্গিতেৰে কথা-বতৰাও পাতিছিলোঁ। কিন্তু এই বাৰ আহি প্ৰথম সেই মুহূৰ্ত্ততেহে তাইক দেখিলোঁ। তাইৰ বয়স আনুমান ১৫।১৬ বছৰমান হৈছিল। মইতো আচৰিত! কুলীৰ ছোৱালী আকৰী কেতেকীও যে ইমান ধুনীয়া হব পাৰে ই মোৰ সপোনৰে অগোচৰ আছিল! বিধিৰ অদ্ভুত সৃষ্টি! বোকাত পদুম ফুলে—কাঁইটত পোলাপ ফুলে। বগী ধক্‌ধকী লাহী ককালটিৰে কেতেকীৰ যৌৱনোদ্দীপ্ত অঙ্গসৌষ্ঠৱ! চকুৰ ধেনুভিৰীয়া ডাঠ চেলাউৰি, ৰঙচুৱা কোমল গাল, ককাললৈকে পৰা কেকোৰা কেকোৰি চুলি! বহল স্নিগ্ধ দুটা চকু! উথন বুকুৰ মাজেদি যৌৱনৰ শ্ৰী, সকলো সৌন্দৰ্য্য প্ৰকাশ হৈ পৰিছে। পাহৰি গলো তাই যে কুলীৰ ছোৱালী, তাই যে আকৰী—মূক! মোৰ মাথোন ইচ্ছা হৈছিল তাইক বুকুত সুমাই লবলৈ। ভাবৰ সমস্ত গতিয়ে একমুখী হৈ কেতেকীক কেন্দ্ৰ কৰি এখন সোণৰ ৰাজ্য গঢ়াৰ প্ৰয়াস পাবলৈ ধৰিলে! মই অৱশ্যে মোৰ মনৰ ভাবক যিমান-দূৰ-সম্ভৱ আনৰ দৃষ্টিৰ অন্তৰালত ৰাখিবলৈ চেষ্টা কৰিলো। কেতেকীয়ে আপোন মনে কি কৰিছিল কব নোৱাৰো। তাই হলে মোলৈ এবাৰো মূৰ তুলি চোৱা নাছিল। উপস্থিত থকা ডেকা দলৰ কৌতুকাক্ৰান্ত চকু বহুত বাৰ কেতেকীৰ ওপৰত পৰিছিল। সিও মোৰ দৃষ্টিৰ বহিৰ্ভূত হব পৰা নাছিল। এই দৃষ্টিত মই মাজে মাজে ঈৰ্ষান্বিত হৈ পৰিছিলো! কিন্তু কি কৰিম, তেতিয়া মোৰ একো উপায় নাছিল।.....

অস্থিৰতাত প্ৰতিমুহূৰ্ত্ত পাৰ হবলৈ ধৰিলে! শেহত মই ন-বৌৰ ওচৰ পালোগৈ। ন-বৌৱে ভিতৰত তেতিয়া কিবা এটা কাম কৰি আছিল। মই হঠাৎ গৈ কলো—"ন-বৌ, মোৰ খোটালিটোত অলপ ধুনা জলাব নোৱাৰানে?" ন-বৌৱে প্ৰথমতে আচৰিত হৈ মোৰ ফালে চালে। আচৰিত হবৰ কথাও। আজি দুদিন মই ধুনাৰ খবৰ কৰা নাই আজি কিয় কৰিলো!—বোধকৰো এই বুলিয়েই ন'বৌ অলপ থমক খাই উঠিছিল। কিন্তু কথাটো একো অদ্ভুত নহয় বুলি ভাবি পিছ মুহূৰ্ত্ততে অলপ হাঁহি মোৰ পাছ ফালে হাতেৰে কাৰবাক মাতিলে। মই ঘূৰি চাই দেখিলো—কেতেকী! মোৰ অন্তৰখন ছাট কৰি উঠিল। বুকুখন কঁপি উঠিল! মোৰ চকুৰ দৃষ্টি তাইৰ চকুৰ লগত যোগ হল। তাই লাজতে তল মূৰ কৰিলে, মই দেখিলো—কেতেকীয়ে বৰ পৰিপাটিকৈ এখন ফুলাম মেখেলা পিন্ধি আহিছে। গাত এটা গোলাপী ৰঙৰ ব্লাউজ। চুলি কোছা সুন্দৰকৈ আচুৰি খোপা বান্ধি থৈছে। খোপাত হালধীয়া ৰঙৰ দুটা কিবা বনৰীয়া ফুল। দুডালি এডালি কুটকুৰা চুলি কপালৰ আগত পৰি ঢৌ খেলি আছে। মোৰ প্ৰতি শিৰাই শিৰাই বিজুলীৰ প্ৰৱাহ ববলৈ ধৰিলে। অতি অলপ সময়ৰ নিমিত্তেহে তাইৰ ফালে চাইছিলো যদিও ন-বৌৰ চকুত সি ধৰা নপৰাকৈ নাছিল। সেইটো পিছত বুজিছিলো। মোৰ দৃষ্টি-বিনিময়ত কেতেকীৰ অন্তৰতো কিবা ভাবৰ তৰঙ্গ উঠিছিলনে নাই নাজানো; কিন্তু মোৰ হিয়াত যে এটা প্ৰলয়ৰ তুফান উঠিছিল ই নিশ্চয়। যি কি নহওক ন-বৌৱে মিচিকিয়াই হাঁহি হাতৰ ইঙ্গিতেৰে কেতেকীক বুজাই দিলে যে তাই যেন মোৰ খোটালিলৈ গৈ ধুনা দি আহে। কেতেকীয়ে মোৰ ফালে চাই অলপ হাঁহিবৰ চেষ্টা কৰি নিজৰ কৰ্ত্তব্যত ওলাই গল। ময়ো তাকে বিচাৰিছিলো। কৃতকাৰ্য্যতাত উতলা হৈ ন-বৌৰ গুৰিৰপৰা একেবাৰে আহি মোৰ ঘৰৰ ভিতৰ সোমাই মেল খাই থকা খিৰিকীখন বন্ধ কৰি দি, হাতত এনেয়ে কিতাপ এখন লৈ বিচনাত পৰি গাৰুটোত কিলাকুটি দি আউজি কাৰবাৰ অপেক্ষাত ঘামি-জামি সময় কটাবলৈ ধৰিলো। উত্তেজনাত মোৰ বুকুৰ ধমনি বন্ধ হৈ গৈছিল। গোটেই গাটো কঁপি উঠিছিল। দুৱাৰলৈ ঘন-ঘনকৈ চাবলৈ ধৰিলো। মই তাইৰ কাৰণে অস্থিৰ হৈ পৰিছিলো।

আজি মই হাকিমৰ গাদিত অনুশোচনাৰ তীব্ৰ হলাহলাত থৰ কাছুটি হেৰুৱাইও সেইদিনাৰ স্মৃতি অকণমানো হেৰুৱা

নাই। বৰং সি আজি উজলতকৈ কিয় ৯ হেহে মোৰ চকুৰ আগত ভাহি উঠিছে। অলপ পিছতে কেতেকীয়ে হাতত ধুনাদানীটো লৈ সোমাই আহিল। তাই মোক দেখি প্ৰথমতে অলপ থমকি ৰৈছিল। কিন্তু মই হাতৰ ইঙ্গিতেৰ আগ বাঢ়িবলৈ কোৱাত তাই ধুনাদানীত ধুনা দি কোঠাটোৰ সিটো মূৰলৈ গৈ চুকে-কোণে ধুনাৰ ধোৱা দিবলৈ ধৰিলে। ইতিমধ্যে মই তাইৰ অজ্ঞাতে দুৱাৰখন বন্ধ কৰি দিলো। ধুনাৰ পৱিত্ৰ সৌৰভত মোৰ অন্তৰৰ সজাগ পিশাচটোৰ উচটনি আৰু দুগুণে বাঢ়িল। তাই যেতিয়া ধুনা দি শেহ কৰি মোৰ ফালে চালে মই ইঙ্গিতেৰে ধুনাদানীটো মেজখনত থবলৈ কলো। তাই থৈ, যাবলৈ বুলি দুৱাৰমুখলৈ চাওঁতে মই তাইৰ কাষলৈ গৈ হাত এখনত ধৰি টানি আনি মোৰ কাষ চপাই মুখলৈ চালো। আচৰিত যে মোৰ ব্যৱহাৰত তাই অলপো বিৰক্তিভাব নেদেখুৱালে। মাথোন লাজত তল মূৰ কৰিলে। তেতিয়া তাই মোত সম্পূৰ্ণৰূপে আত্মসমৰ্পণ কৰিছিল! কিয়নো মোৰ কামত তাই বাধা দিয়া দূৰত থাওক মোৰ বুকুত আৰু দৃঢ়ভাৱে জৰিত হৈহে পৰিছিল। সেই সময়ত মোৰ হিয়াত কিহৰ ধুমুহা বৈছিল কোনে ক'ব?

সকামৰ পিছতো কেতেকী আমাৰ ঘৰত এসপ্তাহমান আছিল। এই আটাই কেইদিনেই মোৰ যৌৱনৰ বসন্তোৎসৱ চলিছিল। মই লক্ষ্য কৰিছিলোঁ—মোৰ এই পাপ আহ্বানলৈ কেতেকীয়ে একাগ্ৰচিত্তে সজাগ হৈ থাকে। এতিয়াহে বুজিছোঁ তাই কিয় তেনে কৰিছিল! কেতেকীয়ে মোক ভাল পাইছিল,—আকৰী সৰলা কুলী ছোৱালীয়ে মোকেই তাইৰ যৌৱনৰ আলহী স্বৰূপে গ্ৰহণ কৰিছিল। শিক্ষিত, আভিজাত্যাভিমানী মই, কেতেকীয়ে মোৰ যৌৱনৰ আহাৰ যোগাইছিল সেয়ে যথেষ্ট আছিল। তাৰ বাহিৰে আন কথা ভাবিবৰ মোৰ অৱসৰো নহৈছিল, ইচ্ছাও নকৰিছিলোঁ। সেই আটাই কেইদিনেই কেতেকীয়ে মোৰ সকলো আল-পৈচান ধৰিছিল, আৰু তাইৰ নীৰৱ ভাষাৰে তাই মোক অন্তৰৰ কথা জনাবলৈ বৃথা চেষ্টা কৰিছিল। আমাৰ এই ভাব বৈলক্ষণ আনৰ চকুত ধৰা নপৰিলেও শিয়ান ন-বৌৱে সকলো বুজিছিল। কিন্তু অকণমান নতুন বোৱাৰী ন-বৌৰ পক্ষে মোক এই সম্পৰ্কে সাৱধান কৰাটো অসম্ভৱ আছিল। মাথোন মাজে মাজে হাঁহি হাঁহি দুই এটা ঠাট্টা কৰিছিল। মই নিতান্ত ঠাট্টা বুলিয়েই সেইটো ধৰি লৈছিলোঁ। এসপ্তাহৰ পিছত কেতেকী যেতিয়া পামলৈ যায়গৈ তেতিয়া তাই মোলৈ ঘনাই চাইছিল। আৰু কিবা কব খুজিছিল। কিন্তু প্ৰকৃতিৰ নিষ্ঠুৰতাত তাই প্ৰতিবাৰেই ব্যৰ্থ হব লগাত পৰিছিল। আজি হোৱা হলে তাইৰ সেই নীৰৱ বেদনা সহজে বুজিব পাৰিলোঁহেতেন। কিন্তু সেইদিনা তাইৰ বিদায়ত মোৰ লালসা চৰিতাৰ্থৰ অসুবিধা হব বুলি যি অলপ বেয়া লাগিছিল,—তাৰ বাহিৰে আন একো ভাব বৈলক্ষণ হোৱা নাছিল। হবই বা কিয়? সামান্য কুলী আকৰী ছোৱালী এজনীৰ লগত হাকিমৰ পুতেক শিক্ষিত উচ্চাভিলাষী মোৰ সম্বন্ধ হব পাৰে কি?

কেতেকী যোৱাৰ কিছুদিনৰ পিছত ফুৰি-চাকি আহিবৰ কাৰণে ময়ো কলিকতালৈ গলোঁ। কলিকতালৈ গৈ বেমাৰত পৰিছিলোহি। তিনি মাহমান বেমাৰৰ কাৰণে তাতেই থাকিব লগা হল। মই কলিকতালৈ যোৱাৰ পিছত হেনো কেতেকী কেইবাবাৰো আমাৰ ঘৰলৈ আহিছিল। আৰু ন-বৌক মোৰ কথা সুধি সুধি ব্যতিব্যস্ত কৰি তুলিছিল। এইবোৰ মই ন-বৌৰ চিঠিৰপৰা জানিছিলো। ন-বৌৱে এবাৰ লিখিছিল—"মই নাৰী, গতিকেই নাৰী হিয়াৰ নীৰৱ বেদনাৰ সম্ভেদ পাবলৈ সক্ষম হৈছিলো। যেতিয়া তাই তোমাৰ কথা সোধে তেতিয়া বেজাৰত মোৰ অন্তৰখন ভাগি যাব খোজে। কিন্তু তাইক মই সততে শান্ত্বনা দিবলৈ চেষ্টা কৰো। বোধকৰো নিষ্ঠুৰ পুৰুষৰ দ্বাৰা লাঞ্ছিত হৈছিল বুলিয়েই তাইৰ ওপৰত মোৰ মায়া বেছি হৈছিল।" আজি ন-বৌৰ এইবোৰ কথাৰ করুণতা ভালকৈ উপলব্ধি কৰিছোঁ। কিন্তু তেতিয়া সেইবোৰ পঢ়ি হাঁহি উৰাই দিছিলো। বেমাৰ ভাল হোৱাৰ পিছতে বি, এ পাছ কৰাৰ খবৰ পালো। তাৰ পিছত গুৱাহাটীলৈ আহি ই, এ, ছি ৰ পৰীক্ষা দিলোহি।

সৌভাগ্যগুণে সেই বছৰেই হাকিমৰ গাদীত বহিলো। তেতিয়া মোক আৰু কোনে পায়? নতুন আশা নতুন

উদ্যমেৰে সংসাৰৰ নতুন ক্ষেত্ৰত প্ৰৱেশ কৰিলো। বন্ধুৱে মোৰ কৃতকাৰ্য্যতাত অভিনন্দন জনালে, শত্ৰু ঈৰ্ষান্বিত হল,—মুধাফুটাসকলৰপৰা প্ৰশংসা পালো। ক্ৰমে মোৰ যশস্যা কেউফালে মুখৰ হৈ উঠিল। লগে লগে আহিল বিয়াৰ ধুমুহা। কেতেকীৰ স্মৃতি পৰ্য্যন্ত তেতিয়া মোৰ লোপ হৈ গৈছিল। ন-বৌৱে মাথোন দুই এখন চিঠি দি তাইৰ খবৰ জনাইছিল। সেইবাবে মোৰ খঙো উঠিছিল। এখন চিঠি দি কেতেকীৰ খবৰ দিবলৈ মানাও কৰিছিলো। তেওঁ তাৰ উত্তৰত লিখিছিল—"এদিন বেচেৰীক সকলো দিব পাৰিছিলা আৰু নিৰ্লজ্জভাৱে তাইৰ হিয়াৰ সৰ্ব্বস্ব লৈ নিজৰ কামনাৰ পৰিতৃপ্তি লাভ কৰিছিলা! আজি কেতেকীৰ খবৰটোও শুনিব নোৱাৰানে? তাইৰ বুকুৰ তেজেৰে যে তোমাৰ দুয়োখন ভৰি ৰঞ্জিত হৈ গৈছে সেইটো জানো বুজিছা! হলাই বা তুমি ডাঙৰ মানুহ—হাকিম! সেই বুলিয়েই কেতেকীৰ দোষ হলনে? তাইৰ আজি কি বিপত্তি! গাত ছমাহ—সমাজৰ কলিঙ্কিনী, ভ্ৰুকুটিৰ পাত্ৰী। সেইবাবে তুমিয়ে দোষী নহয়নে? তাইৰ যদি খবৰটো শুনিবলৈকো বেয়া তেন্তে এই পাপত লিপ্ত হৈছিলা কিয়? ইয়াৰ বিচাৰ জানো নহব?" বিচাৰ! হাঃ হাঃ, মই ন-বৌৰ লৰালি ভাবৰ চিঠিত হাঁহি উঠিছিলো। কোনে কৰিব বিচাৰ? ময়ে যে বিচাৰপতি! এতিয়া মোৰ ওপৰতহে আনৰ বিচাৰ কৰাৰ ভাৰ। মোৰ ন্যায় অন্যায়ৰ বিচাৰ কৰিবৰ ক্ষমতা আনৰ নাই! আজি হোৱা হলে ন-বৌৰ সেই বাক্ চাতুৰ্য্যহীন সৰল চিঠিখনে মোলৈ আন এটা ভাবৰ প্ৰৱাহ আনিলেহেঁতেন। কিন্তু—যাওক! ন-বৌলৈ এই সম্পৰ্কে আৰু একো নিলিখিলো। তেৱো নিলিখা হল।

দেউতা আৰু ককাইদেৱে মোৰ বিয়াৰ কাৰণে ধুম-ধাম লগাবলৈ ধৰিলে। চহৰতে পুলিছ ছুপাৰিণ্টেণ্ডেণ্টৰ জীয়েক নিৰুপমাৰ লগত বিয়া হৈ গল। শিক্ষিতা সুন্দৰী নিৰুপমাই মোৰ হাকিমি হিয়া দুদিনতে জয় কৰি পেলালে। নিৰুৱে গান গায়, হাৰমনিয়ম বজায়, নভেল নাটক পঢ়ে, ওখ ধৰণৰ কথা পাতে। ইয়াতকৈ আৰু মোক কি লাগিছে? মই সম্পূৰ্ণ সুখী হৈছিলো। ঘৰতো সকলো সুখী হৈছিল। ন-বৌৱে নিশ্চয় মোৰ বিয়াত ভাল পোৱা নাছিল। কাৰণ তেওঁ অসুখ বুলি মাকৰ ঘৰৰপৰা মোৰ বিয়ালৈকো নাহিল; বিয়া হৈ যোৱাৰ পিছত মোলৈ চিঠি-পত্ৰও দিবলৈ এৰি দিলে। সেয়ে অলপ আঘাত কৰিলেও মই তাৰ কাৰণে বৰ বেছিকৈ নাভাবিছিলো, আৰু ভাবিবলৈকো সময় নাপাইছিলো। তৰুণী পত্নীৰ স্নেহ আৱেষ্টনীত আৰু হাকিমৰ কৰ্ত্তব্য বান্ধোনত সংসাৰৰ আন কথা এক ৰকম পাহৰিয়েই গৈছিলো! এটা আত্ম সেৱাৰ ভাবে মোক সকলোৰেপৰা আতৰাই ৰাখিছিল।

দাম্পত্য জীৱনৰ ছমাহমানৰ পিছতে ন-বৌৰপৰা হঠাৎ এখন চিঠি পালো। কিয় কব নোৱাৰো চিঠিখন হাতত লৈয়ে মোৰ অন্তৰখন অলপ কঁপি উঠিল। অফিছ ৰুমতে চিঠিখন খুলি পঢ়িবলৈ ধৰিলো। বহুত কথাৰ পিছত কেতেকী সম্পৰ্কে লিখিছে—"ক্ষমা কৰিবা, দুৰ্ভাগিনী কেতেকীৰ কথা নিলিখোঁ বুলিও কিয় জানো লিখিলো। হয়তো তোমাৰ স্মৃতিৰপৰা তাই একেবাৰে আঁতৰি গৈছে। কিন্তু মোৰ ওচৰৰপৰা তাই কালিহে আঁতৰি গৈছে যদিও তাইৰ সকলো স্মৃতি সজাগ হৈয়ে আছে। সামান্য কুলীৰ ছোৱালী, প্ৰকৃতিৰ নিদাৰুণ দৃষ্টিত আকৰী কেতেকীৰ কাৰণে তোমাৰ হিয়াই নাকান্দিলেও মোৰ হিয়াখনে হাহাকাৰ কৰি উঠিছে। হায়, তায়ো যে তেজ মঙহেৰে গঠিত মানুহ, তাইৰো যে এখন মানুহৰ হিয়া আছে। কিন্তু নিৰ্ম্মম পুৰুষৰ অত্যাচাৰত তাইৰ সকলো ভাগি চুৰমাৰ হৈ গল।" আজি দুমাহৰ আগতে তাইৰ এটা লৰা হৈছিল, ঠিক দেৱশিশুৰ দৰেই সি তাইৰ কোলালৈ নামি আহিছিল! মাক-বাপেক, ওচৰ চুবুৰীয়াৰ দ্বাৰা লাঞ্ছিত হলেও মই তাইক সকলো প্ৰকাৰে সহায় কৰিছিলো। ককাইদেৱে তাৰপৰা টকা খুজি তাইৰ কাৰণে ধাত্ৰী আদি ঠিক কৰি দিছিলো। ল'ৰাটো ঠিক তোমাৰ দৰেই হৈছিল। লৰাটো পাই তাইৰ কি আনন্দ! ভাষাৰে সেই আনন্দ ব্যক্ত কৰিব নোৱাৰিলেও চকু মুখৰ ভাবত সি নীৰৱে প্ৰকাশ হৈ পৰিছিল।

আনে বুজিছিলনে নাই কব নোৱাৰো; মই হলে

বুজিছিলোঁ তাইৰ এই আনন্দ কিয় হৈছিল। মাতৃত্বৰ গৌৰৱত, নাৰীত্বৰ পূৰ্ণ বিকাশত তাইৰ কোলা শুৱনি কৰিছিল এই দেৱ শিশুৱে। তাতে সি আছিল তোমাৰ দান। তাই তাইৰ সকলো দুখ-কষ্ট এই শিশুটিৰ অস্তিত্বৰ অনুভৱতেই পাহৰি পেলাইছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে দুমাহ নৌহওঁতেই প'ৰহি সন্ধিয়া তাইৰ সৰ্ব্বস্ব, হিয়াৰ মাণিকটিক লৈ গল! আকৰীৰ কি বেদনাভৰা করুণ আৰ্ত্তনাদ! মোৰ বিশ্বাস হৈছিল তাইৰ বুকুভৰা কান্দোনত নিষ্ঠুৰ বিধাতাৰ হিয়াও দ্ৰৱ হৈ গৈছিল। মই পাৰ্য্যমানে তাইক শান্ত্বনা দিছিলোঁ। কিন্তু সি অৰণ্য-ৰোদনক পৰিণত হৈছিল। তোমাক তাইৰ অন্তৰৰ কথা কেনেকৈ বুজাম? মই নাৰী হৈয়ো তাইৰ বেদনাৰ সীমা উপলব্ধি কৰিব নোৱাৰিছিলোঁ। আৰু তুমি—থাওক! কালি ৰাতিপুৱা শুই উঠি কেতেকীক চাবলৈ গৈ দেখোঁ যে তাই তাত নাই। বোধকৰো বেজাৰত কৰবালৈ গুচি গৈছে। ককাইদেৱেৰাক বিচাৰিবলৈ কৈছোঁ,—কিন্তু পোৱাৰ আশা নাই। কেতেকীৰ হিয়াভৰা বেদনাৰ বাবে পুৰুষৰ নিৰ্লজ্জ নিষ্ঠুৰতাই জানো দায়ী নহয়?" মোৰ শিলৰ হিয়াও কেতেকীৰ অৱস্থাৰ এই করুণ বৰ্ণনাত অলপ সময়লৈ হলেও স্তব্ধ হৈ গৈছিল। কিন্তু সি অলপ সময়ৰ কাৰণেহে। চিঠিখন পঢ়ি উঠি আৰু কোনোবাই দেখে বুলি ফালি পেলালে। কাৰণ মই জানিছিলো যে মোৰ এই কীৰ্ত্তিৰ কথা আনে গম পালে সি মোৰ পক্ষে সুবিধাজনক নহব।

আজি বোধকৰো তাৰেই প্ৰায়শ্চিত্তত মোৰ অন্তৰখন তিল তিলকৈ পুৰিবলৈ ধৰিছে!—মোৰ একমাত্ৰ বংশধৰ মাতৃহাৰা মিনিক বুকুত লৈ। ন-বৌৱে বোধহয় মোৰ এই প্ৰায়শ্চিত্তৰ কথা আগেয়ে গম পাইছিল। সেইবাবেই মোক বাৰে বাৰে সাৱধান কৰিছিল। মূৰ্খ অন্ধ মই!—ডেকা তেজৰ উত্তেজনাৰে তাৰ মৰ্ম্ম উপলব্ধি কৰিব নোৱাৰিছিলো। উস্ কি নিৰ্ম্মম নিষ্ঠুৰ পোৰণি!

ন-বৌৰপৰা সেই খন চিঠিৰ পিছত আৰু চিঠি নাপালো। তেৱো আজি সংসাৰ ধামত নাই। মোৰ নিৰুৰ লগতে কালে তেওঁকো কৰবালৈ লৈ গৈছে। নিৰুৰ ছোৱালী এটা হৈয়েই দুবছৰৰ পিছতে স্বৰ্গী হল—মোক মোৰ পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ সংসাৰত অকলে এৰি থৈ। দুখে বেজাৰে ছোৱালীটীকে লৈ আছিলো। আৰু তাইক কেন্দ্ৰ কৰিয়েই ভবিষ্যতৰ সংসাৰ ৰচনা কৰিছিলো! মৰমতে তাইক মিনি বুলি মাতিছিলো। ককাইদেৱে আকৌ বিয়া কৰাবলৈ কৈছিল। দেউতা আগতে ঢুকাল। আয়েও বিয়াৰ কাৰণে বৰকৈ খাটিছিল। কিন্তু মই যি কাৰণেই নহওক আকৌ বিয়া নকৰালো। মিনি ক্ৰমে ডাঙৰ হল। এবছৰ দুবছৰকৈ তিনিবছৰ হলহি—তথাপি তাইৰ মাত নুফুটিল। ভাবিলো আৰু বয়স হলে মাত ফুটিব। কিন্তু আজি ন বছৰেও যেতিয়া তাইৰ মাত নুফুটিল তেতিয়া আৰু বুজিবলৈ বাকী নাথাকিল যে মোৰ চেনেহী জীয়াৰী মিনি বোবা হল। স্বৰ্গীয়া নিৰুৰ আদৰৰ দান মিনিৰ শব্দ হীনতাই মোৰ হৃদয়ৰ সকলো চুৰমাৰ কৰি দিলে। ভবিষ্যতৰ সকলো আশাৰ ওপৰত যৱনিকা পৰিল। আকৰী মিনিয়ে মোক অতীতৰ সেই করুণ ঘটনাটোৰ স্মৃতি মনত পেলাই দিলে। আজি তাৰ অনুতাপতে মই দগ্ধ হব লাগিছোঁ। বোধকৰো মোৰ জীৱনৰ শেহ পৰ্য্যন্ত ই এই দৰেই জ্বলি থাকিব!

মিনিৰ নিৰ্ব্বাক মূৰ্ত্তিয়ে কেতেকীৰ প্ৰতি মই কৰা অন্যায়ৰ কথাকে আজি সোঁৱৰাই দিছে! আৰু তাৰ কাৰণেই মোৰ চকুত সুন্দৰ জগতখন আজি কুৎসিত হৈ পৰিছে! হায়! কোনে কব ই কেতেকীৰে অভিশাপনে প্ৰকৃতিৰে প্ৰতিশোধ!* * *



"চতুৰ্দ্দশ শতিকাৰ দুখন তামৰ ফলি"

(শুধৰণিৰ সমিধান)

—শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা বি-এল, এম-এল-ছি

শিতানত নাম দিয়া প্ৰৱন্ধটোত শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ দেৱৰ "ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ আছিলনে?" প্ৰৱন্ধৰপৰা পোৱা কেই আষাৰমান কথাৰ উল্লেখ কৰি সমালোচনাও কৰিব লগা হৈছিল। সেই প্ৰৱন্ধ 'আৱাহন'ত ওলোৱাৰ তিনিমাহৰ পিছত মিশ্ৰদেৱে আমাৰ "কিছুমান ভুল" দেখি, যোৱা (আহাৰ মাহৰ) সংখ্যা 'আৱাহন'ত "ভুল বোৰ" (?) এটা এটাকৈ (ক) আৰু (খ) নম্বৰ দি আঙুলিয়াই শুধৰাবলৈ বিচাৰিছে। পিছে মিশ্ৰদেৱৰ এই প্ৰৱন্ধত "কিছুমান" আৰু "বোৰৰ" দৌৰ (খ) ক চেৰাই যোৱা নেদেখি আৰু প্ৰৱন্ধৰো ইমানতে সামৰণি দেখি আশ্বস্ত হৈ আগৰপৰা গুৰিলৈকে প্ৰৱন্ধটো পঢ়ি চালোঁ।

সোণৰ দৰে বুৰঞ্জীও থপিলেহে শুদ্ধ হয় বুলি আমি বিশ্বাস কৰোঁ। সেইদেখি মোৰ প্ৰৱন্ধটোৰ প্ৰকৃত-বুৰঞ্জীমূলক কথাখিনিৰ সমালোচনা হৈ তাৰ আসোঁৱাহ খিনি ওলালে মোৰ হৰিষত বাজে বিষাদৰ কোনো কাৰণ নাছিল।

(ক) মিশ্ৰদেৱে আঙুলিওৱা প্ৰথমটো আসোঁৱাহ পুৰণি বুৰঞ্জী বিষয়ক নহয়;—আধুনিকৰো আধুনিক বুৰঞ্জী বিষয়কহে অৰ্থাৎ এই তামৰ ফলিখনৰ পাঠোদ্ধাৰৰ বুৰঞ্জী সম্বন্ধেহে। এই ফলিখনৰ উদ্ধাৰ সম্পৰ্কে মই নিজে মিশ্ৰদেৱতকৈ বেছি সম্ভেদ পাওঁ আৰু তেখেতে ঘাৰমৰা সত্ৰৰ শ্ৰীব্ৰজনাথ দত্ত আমোক্তাৰৰ চহীৰে যিখন চিঠি প্ৰৱন্ধত প্ৰকাশ কৰিছে সি যে মিছা অলীক কথাৰে ভৰা তাকো প্ৰমাণিত কৰিবলৈ সক্ষম। শ্ৰীব্ৰজনাথ আমোক্তাৰ ওৰফে বজু মুক্তিয়াৰক মই চিনি পাওঁ। তেওঁ কিমান বিদ্যাৰ আৰু বুৰঞ্জীমূলক জ্ঞানৰ গৰাকী তাৰো মোৰ ৱাকিপ আছে। এই ফলি প্ৰথমে ছেটেলমেণ্ট অফিছাৰ মিঃ মিল্‌নিৰ হাতত পৰাৰপৰা কমিস্যনাৰ কৰ্ণেল গৰ্ডন ছাহাবৰ হাতলৈ যোৱালৈকে সকলোখিনি কথাৰ উৱাদিহ মই পাওঁ। সেইখিনি কথা মোৰ প্ৰৱন্ধত বাহুল্যকৈ প্ৰকাশ কৰিবৰ আৱশ্যক নেদেখি মুঠতে চমুকৈ উনুকিয়াই থৈছিলোঁ। তাৰ পিছত পাঠোদ্ধাৰৰ বুৰঞ্জীখিনি শ্ৰীযুত মিশ্ৰৰ প্ৰৱন্ধৰপৰা পোৱা বা বুজা দৰেই দিছিলোঁ। তাত যদি কিবা হীন-ডেঢ়ি ঘটিছে তাৰ বাবে অকল মইয়েই দায়ী নহওঁ মিশ্ৰদেৱেও তাৰ ভাগ লব লাগে আৰু আংশিকৰূপে লোৱাও দেখি সন্তোষ পাইছোঁ। মিশ্ৰদেৱৰ আপত্তি আমাৰ প্ৰৱন্ধৰ "তেখেতেও (অৰ্থাৎ মিশ্ৰদেৱৰ দেউতাক শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ মহাশয়ে) বিস্তৰ চেষ্টা কৰি মাত্ৰ কেই শাৰীমানৰ পাঠ তলত দিয়া দৰে কৰি দিয়ে—কোনোবা এজন "স্বৰ্গনাৰায়ণ" (আহোম) ৰজাই এশ ঘৰতকৈ বেছি মানুহ খাই বৈ থাকিবৰ জোখাৰে মাটি নাৰায়ণ নামেৰে কোনোবা এজন বামুণক দান কৰিছিল" এই আষাৰ কথাৰ ওপৰত। তেখেত কৈছে যে তেখেতৰ পিতৃদেৱকে ফলিখনৰ প্ৰায় গোটেইখিনি কথাৰে পাঠ ২৫ বছৰৰ আগতে উদ্ধাৰ কৰি "বাঁহী"ৰ পিঠিত তুলি দিছিল আৰু সেই পাঠৰ হেনো মোৰ পাঠৰ লগত পাৰ্থক্য নাই বুলিলেই হয়। তথাস্তু,—আমিও তাকেহে বাঞ্ছো। শ্ৰদ্ধেয় বিদ্যাভূষণ মহাশয়ৰ পাঠৰ সমৰ্থন পালে মোৰ পাঠটো দহদহীয়া হয় আৰু ইপিনে দেউতাকৰ পাঠৰ দোহাই দিয়েই মিশ্ৰদেৱৰ (খ) নম্বৰী আপত্তিটো খণ্ডাবলৈ আৰু শ্ৰীবজু মুক্তিয়াৰৰ নামত ছপা হোৱা চিঠিখন ওফৰাবলৈ অতি উজু হৈ পৰে। ২৫ বছৰ আগৰ "বাঁহী" আমাৰ ধোৱাঁ-চাঙত নাই। বিদ্যাভূষণ মহাশয়ৰ পাঠ থকা "বাঁহী" সংখ্যা পঢ়ি চাবলৈ মিশ্ৰদেৱে আমাক ধাৰলৈ দিলে নথৈ

শলাগ লৈ সোনকালে তাক নিঘূণি অৱস্থাত ওলোটাই দিবলৈ গাত ললো। আৰু সেই পাঠ দেখি শ্ৰদ্ধাস্পদ শ্ৰীযুত বিদ্যাভূষণ মহাশয়ৰ ওচৰত আমি কিবা দোষ কৰা বুলি বুজিব পাৰিলে তেখেতৰ ওচৰত মাৰ্জ্জনা খুজিবলৈকো ৰং পাম আৰু আমাৰ পাঠৰ সন্দেহযুক্ত ঠাইবিলাকৰ সন্দেহ গুচাবলৈকো ছল পাম। *

মিশ্ৰদেৱে যোৱা মাঘ মাহৰ "আৱাহন"ত "ৰুদ্ৰসিংহ ৰজা নিৰক্ষৰ আছিলনে" প্ৰৱন্ধত লিখিছিল তেখেতে (অৰ্থাৎ পণ্ডিত শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ মহাশয়ে) উদ্ধাৰ কৰা পাঠৰপৰা আমি জানিবলৈ পাইছোঁ যে কোনোবা এজন "স্বৰ্গনাৰায়ণ" (আহোম ৰজাই) এশ ঘৰতকৈ বেছি মানুহে খাই বৈ থাকিবৰ জোখাৰে মাটি নাৰায়ণ নামেৰে কোনোবা এজন বামুণক দান কৰিছিল।" তাৰপৰাই আমি আমাৰ প্ৰৱন্ধত সেই ফাকি কথা তুলি দিছিলোঁ। তাৰ বাহিৰে মিশ্ৰদেৱৰ প্ৰৱন্ধত পিতাকৰ পাঠৰপৰা "নাৰায়ণ বৰ বুদ্ধিমান, পুণ্যৱান আৰু ৰজাঘৰৰ পৰা সম্মান পোৱা পুৰুষ আছিল" বুলি একাষাৰ কথাৰ চেৰাই আৰু আন কোনো কথা উল্লেখ কৰা হোৱা নাছিল। আমি এইখিনি কথাকে বিদ্যাভূষণ মহাশয়ৰ পাঠৰ ঘাই অংশ বুলি ধৰাটো ভুল হব পাৰে। কিন্তু সেই পাঠ যদি আমাৰ বৰ্ত্তমান পাঠৰ নিচিনা আৰু সমানেই আছিল তেন্তে মিশ্ৰদেৱে সেই পাঠৰপৰা কেনেকৈ ফলিৰ মাটি দিওঁতা ৰজাজনক ১৭ শতিকাৰ আহোম ৰজা স্বৰ্গনাৰায়ণ ৰুদ্ৰসিংহ বুলি ঠাৱৰালে? বিশেষকৈ আমাৰ পাঠৰ দৰে যদি ভূমি দান কৰোতা ৰজাৰ নাম শ্ৰীসত্যনাৰায়ণ বুলি বিদ্যাভূষণ মহাশয়ৰ পাঠতো লিখা আছিল তেন্তে মিশ্ৰদেৱে "স্বৰ্গনাৰায়ণ" ক'ত পালে? আৰু মিশ্ৰদেৱে শুধৰণী প্ৰৱন্ধত কোৱাৰ দৰে ১৩১৪ শক যদি বিদ্যাভূষণ মহাশয়ৰ পাঠতে আছিলেই, মিশ্ৰদেৱে সেইটো গোপন কৰি ফলিখন ১৬১৩ শকত স্বৰ্গদেৱ ৰুদ্ৰসিংহ মহাৰাজে দিয়া বুলি ৰুদ্ৰসিংহ ৰজাৰ বিষয়ক প্ৰৱন্ধত সাব্যস্ত কৰিবলৈ কঁকালত টঙালি বান্ধি যুজিছিল কিয়? তৃতীয়তঃ ফলিৰ ভূমি দান লওঁতাজন নাৰায়ণ ব্ৰাহ্মণ বুলি ক'ত পালে? ফলিৰ আমাৰ পাঠত দেখোন "তস্মৈ নাৰায়ণ দ্বিজাত্মজে" বুলিহে পাইছোঁ; বিদ্যাভূষণ মহাশয়ৰ পাঠৰপৰা মিশ্ৰদেৱে "নাৰায়ণ বামুণক দান কৰিছিল" বুলি স্পষ্টকৈ লিখি গৈছে। চতুৰ্থতঃ সেই ফলিৰ বিদ্যাভূষণৰ পাঠ আমাৰ পাঠেৰে একে হলে তাত "এশ ঘৰতকৈ বেছি মানুহ খাই বৈ থাকিবৰ জোখাৰে" বোলা মাটিৰ জোখটো মিশ্ৰদেৱে ক'ত পালে? পঞ্চমত কাশ্যপ গোত্ৰীয় নাৰায়ণ বাপুক মৌদ্গল্য গোত্ৰীয় শ্ৰীশ্ৰীযুত ঘাৰমৰা সত্ৰাধিকাৰৰ পূৰ্ব্বপুৰুষ পাতিবলৈ চেষ্টা কৰিব কিয়? মুঠতে, যিটো পাঠৰ ওপৰত নিৰ্ভৰ কৰি মিশ্ৰদেৱৰ নিচিনা এজন কৃতবিদ্য লিখাৰুৱে সেইখন তামৰ ফলিৰ দান ১৭ শতাব্দীৰ মহাৰাজ ৰুদ্ৰসিংহই ৰামনাৰায়ণ নামে ব্ৰাহ্মণক ১৬১৩ শকত দিয়া বুলি সিদ্ধান্ত কৰিব পাৰে, সেইটো পাঠ আমাৰ পাঠৰ লগত মিলিব নোৱাৰে।

তাৰ পিছত আলচ কৰিব লগা হল শ্ৰীব্ৰজনাথ দত্ত আমোক্তাৰৰ নামত মিশ্ৰদেৱে পোৱা চিঠিখনৰ কথা। এই চিঠিখন শিখণ্ডীৰ আঁৰ লৈ মৰা অৰ্জ্জুনৰ কাঁড় যেন অনুমান হোৱা গতিকেহে তাৰ আলচ কৰিবলৈ আগ বাঢ়িলো। আমাৰ প্ৰৱন্ধৰ "কিছুমান কথা ভিত্তিহীন, গতিকে" জনাবলৈ আগ বাঢ়ি আমাৰ কেৱল ফলিখনৰ উদ্ধাৰ সম্পৰ্কীয় উক্তিটো আক্ৰমণ কৰি ইয়াতো "কিছুমান"ৰ অৰ্থ "এক"ত পেলাইছেগৈ। যিখন ফলি ঘাৰমৰাৰ শ্ৰীশ্ৰীযুত সত্ৰাধিকাৰ গোস্বামীয়ে শ্ৰীযুত ৰত্নেশ্বৰ শৰ্ম্মা স্মৃতি ব্যাকৰণ তীৰ্থৰ হাতত দি থৈ পিছত আমাক দিয়ে আৰু বৰ্ত্তমান আমাৰ হাততে আছে সেইখন ফলিয়েই যে মিশ্ৰদেৱে উল্লেখ কৰা ১৯১০ চনত তেখেতৰ পিতৃদেৱেকে পাঠ উদ্ধাৰ কৰা ফলি তাৰ সাক্ষী আমি মিশ্ৰদেৱকে মানিলো। তেখেতে নিজেই কৈছে যে আমাৰ পাঠোদ্ধাৰৰ লগত তেখেতৰ দেউতাকৰ পাঠোদ্ধাৰৰ একো পাৰ্থক্য নাই বুলিলেই হয়। তাৰ ওপৰি শ্ৰীবজু মুক্তিয়াৰক আৰু ঘাৰমৰাৰ শ্ৰীশ্ৰীযুত সত্ৰাধিকাৰ গোস্বামীক সেই চিঠিত মাঘৰ "আৱাহন"ত উল্লিখিত যিখন ফলি ঘাৰমৰা

* ফলিৰ আখৰ পঢ়িব নোৱাৰা, অসম উপত্যকাৰ কমিস্যনাৰ (প্ৰাচীন লিপিজ্ঞান বা Epigraphyৰ কমিস্যনাৰ নহয়) কৰ্ণেল গৰ্ডনৰ ছাৰ্টিফিকেটখনৰ ওপৰতে সিমানখিনি নিৰ্ভৰ কৰিব নোৱাৰি।

সত্তত এতিয়াও আছে বুলি কোৱা হৈছে সেই ফলিগন আমাক এবাৰ দেখুৱাবলৈ খোজা হৈছে। দেখুৱাব পাৰিলে তাৰ পাঠমতে আমাৰ (আৰু লগে লগে শ্ৰীযুত মিশ্ৰ মহাশয়ৰো) কথাখিনিৰ দশা যি হওক লাগিলে উক্ত সত্তৰ লুপ্ত গৌৰৱ আৰু সম্ভৱতঃ সম্পত্তিও পুনৰুদ্ধত নহলেও অন্ততঃ অসম বুৰঞ্জীৰ লুপ্ত সম্পদৰ পুনৰুদ্ধাৰ হ'ব। আমাক নেদেখুৱালেও উক্ত যুক্তিয়াবে যদি শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰদেৱেঁকে পঠিয়াই দিয়ে আৰু তেখেতে তাৰ এটা ফটোগ্ৰাফ "আৱাহন"ত প্ৰকাশ কৰি পাঠখিনি ২৫ বছৰৰ পিছত আকৌ এতিয়া এবাৰ "আৱাহনত" প্ৰকাশ কৰি দেখুৱায় তেনেহলেও আমি কৃতাৰ্থ মানিম।

(খ) আমাৰ দ্বিতীয় ভুল দেখুৱা হৈছে যে আমি মিশ্ৰদেৱৰ "কুদ্ৰসিংহ বঙ্গা নিবন্ধৰ আছিলনে" প্ৰবন্ধত "শকুন্তলা পদ" পুথিৰ ১২ ফাকিমান পদ উদ্ধাৰ কৰি ৰামনাৰায়ণ যে উত্তৰ লক্ষীমপুৰৰ মানুহ আছিল তাক প্ৰমাণ কৰিবলৈ এই তামৰ ফলিৰ কথা অৱতাৰণা কৰা দেখি তাৰপৰাই সেই অনুমান কৰা বুলি লিখিছিলোঁ। এই তামৰ ফলিৰ উপৰি উক্ত প্ৰবন্ধলিখকে অৱশ্যে এটা পিতলৰ স্তম্ভত লিখা লিপিবো আশ্ৰয় লৈছিল। সেই লিপিৰ ৰামনাৰায়ণ যে ঘাৰমৰা সত্ৰৰ বংশ-বৃক্ষৰ ৰামনাৰাণ তাক আমি দুই নকৰোঁ। কিন্তু এই মধুকন্যা গোত্ৰীয় ৰামনাৰায়ণ যে ফলিৰ কাষ্টপ গোত্ৰীয় "নাৰায়ণ দ্বিজ" নহয় তাক ওপৰত ভালকৈ দেখুৱা হৈছে। তাৰ উপৰি এইজন ৰামনাৰায়ণ (ঘাৰমৰা সত্ৰৰ এজন আদি পুৰুষ) যে শকুন্তলা পদ লিখা ৰামনাৰায়ণ তাৰ প্ৰমাণো নিখুত হোৱা নাই। যি পিতলৰ স্তম্ভৰ কথা মিশ্ৰদেৱে দুই সংখ্যা "আৱাহন"তে লিখিছে সি স্তম্ভ নহয়, এটা পিতলৰ কৃষ্ণ মূৰ্ত্তি। * তাৰ আসনৰ (Pedestal) গাত "ভুবনমোহন পদাশ্ৰিত" ইত্যাদি কথাখিনি খোদিত আছে। এই লিপিৰ যথার্থতা আৰু প্ৰাচীনত্বৰ ওপৰত যুক্তিযুক্ত সন্দেহ জন্মা বাবেই ঘাৰমৰা সত্ৰৰ কৰ্ত্তৃপক্ষই এই তামৰ ফলিৰে সৈতে সেই মূৰ্ত্তিৰ লিপি দেখুৱাই ১৯১০ চনত কৰা নিষ্কৰ মাটিৰ দাবী অসম ছৰ্কাৰৰ ৰাজস্ব বিভাগৰ কৰ্ত্তৃপক্ষই নামঞ্জুৰ কৰে। তামৰ ফলিৰ শকৰ অঙ্কটোৰ ৪১৩১ কপটো, তাৰ "শাকে" শব্দ পিটি সমান কৰি তাত "ভূমি" লিখিবৰ প্ৰয়াস আৰু ভুবন মোহন মূৰ্ত্তিৰ তলৰ লিপিত ":১৩১ হালিছা" অঙ্ক আৰু শব্দ দুটাৰ প্ৰয়োগ এই সকলোখিনিয়ে উপৰোক্ত সন্দেহৰ ভেটি শকত কৰিছে। গতিকে আমি এতিয়াও মিশ্ৰদেৱে (খ) ভুল প্ৰসঙ্গত এই লিপিৰ দোহাই দি শকুন্তলা পদ লিখক কৰিছেই যে উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা সত্ৰৰ এজন আদি পুৰুষ ৰামনাৰায়ণ তাৰ অইন একো প্ৰমাণৰ আৱশ্যক নাই বুলি ভাঠি কোৱাৰ পিছতো সেই বিষয়ে নিৰ্ভৰ যোগ্য প্ৰমাণৰ অভাব বুলিছেই কওঁ। ভুবনমোহন মূৰ্ত্তিৰ তলৰ লিপি সম্বন্ধে শুনা সকলো কথা আমি ইয়াত লিখিবৰ প্ৰয়োজন বোধ নকৰিলোঁ। মিশ্ৰদেৱৰ সমালোচনাৰ উত্তৰত সত্তাৰ খাতিৰতহে ওপৰত লিখাখিনি কথাকে লিখিব লগা হল। মিশ্ৰদেৱে অনুগ্ৰহ কৰি সোনকালে "বাহীত" প্ৰকাশ হোৱা ১৯১০ চনৰ পাঠটো চাবলৈ আমাকৈ পঠিলে বা "আৱাহন"ত পুনৰ মুদ্ৰিত কৰাই দেখুৱালে নঠৈ বাধিত হম।

* এই মূৰ্ত্তি এতিয়াও ঘাৰমৰা সত্ৰৰ মণিকুটতে আছে। মোক আৰু বন্ধুবৰ শ্ৰীযুত সৰ্বেশ্বৰ শৰ্ম্মা কটকীক শ্ৰীযুত অধিকাৰ গোসাঞে ১৯৩৩ চনত নিজে দেখুৱাইছিল।



নাহিক ভ্ৰমণ

—শ্ৰীযুত ফণিধৰ বকৰা

কথাতে কয় "এলাহৰ বশ ছমাহ"—আমি বঙ্গে চহৰত থকাৰ আজি এবছৰকো বেছি হ'ল, তথাপি ইমান দিনে নাহিক ভ্ৰমণৰ ইচ্ছা পূৰণ কৰিব পৰা নাছিলোঁ।

বহুদিনবপৰা পাতি থকা এই ভ্ৰমণৰ উদ্দেশ্যে অফিছৰ পৰা ছুটী লৈ যোৱা ফেব্ৰুৱাৰি মাহত এদিন গধূলি ওলালোঁ। আমি থকা 'জেব ব্যিল্ডিং,' পেৰেলবপৰা এখন ভেবোণীয়া ঘোৰা গাৰী বন্দোবস্ত কৰি দাদাৰ (Dudar) ষ্টেশ্বনলৈ যাত্ৰা কৰিলোঁ। একেখন বেল গাৰীতে আমাৰ লগত আমাৰ অফিছৰে বন্ধে চহৰৰ একমাত্ৰ অসমীয়া বন্ধু শ্ৰীযুত বসুধৰ বৰুৱাও সপৰিবাৰে যাবৰ কথা আছিল। তেওঁলোকে আছিল 'মতিলাল মেগন' পেৰেলত। তাৰপৰা আন এখন ঘোৰা-গাৰীত দাদাৰ ষ্টেশ্বনলৈ আমাৰ আগতে গৈ তেওঁলোকে বাট চাই আছিল।

এই বিদেশত ছটি অসমীয়া পৰিয়ালে এনেদৰে একেলগে যাবলৈ পোৱাত আমাৰ মনত যে সিদিনা কি অপাৰ আনন্দ উপজিছিল তাক বৰ্ণনা কৰিবলৈ মোৰ শক্তিৰ অভাব। বন্ধুৰ পৰিয়ালৰ বাবে ৫২ খন আৰু আমাৰ বাবে তিনিখন টিকেট লোৱা হল। আমাৰ মাল বস্তবিলাক প্লেটফৰ্ম্মত সাজু কৰি থৈ গাৰী (নাগপুৰ এক্সপ্ৰেছ) আহি পোৱালৈকে সতৃষ্ণ নয়নে বাট চাবলৈ ধৰিলোঁ।

৯-৪৫ মিনিটত গাৰী আহি প্লেটফৰ্ম্ম পোৱাৰ অলপ আগতে ইলেকট্ৰিক ইঞ্জিনে উকি দিলে। ইয়াত মাত্ৰ ৫ মিনটহে ৰেল বয়। মাল-পত্ৰ আৰু লৰা-ছোৱালী তোলোতেই সময়খিনি কেনেকৈ গ'ল আমি গমকে নাপালোঁ। সকলো থান্ থিত লগাওঁতেই ৰেলে পুনৰ বাওনা হোৱাৰ জাননী দিবলৈ উকি দিলে। বস্ত-বাহনি সকলো তোলা হল যেতিয়া আমাবো মনত ভালেই লাগিল। যি গাৰীখন সম্মুখতে পাই লৰালৰিকৈ উঠিলোঁ। তাত মাল-বস্তবিলাকৰ সৈতে আমাৰ কোনোমতে বহিবলৈহে ঠাই ওলাল। যি হক "ইৰবে যি কৰে ভালকে কৰে" বুলি লাহে লাহে হেচি ঠেলি ঠাই উলিয়াবলৈ ধৰিলোঁ। ২।৩ জন মানুহে আগবেপৰা দীঘল দি শোৱা ভাও জুৰি ঠাই আৱদ্ধ কৰি আছিছিল। কোৱাত দুই এজনে উঠি অলপ ইফালে সিফালে ঠাই এৰি দিলে। আমিও লাহে লাহে লৰা-ছোৱালী ছটি-এটিক ভৰলৈ দিহা লগোৱাই দিলোঁ।

ৰাটত যাওঁতে পৰ্ব্বতৰ সুৰঙ্গেদি (Tunnel) ৰেল যোৱা গম পালোঁ। অৱশ্যে কলিকতাবপৰা আহোঁতেও গম পাইছিলোঁ; কিন্তু সেইবাৰো নিশা আৰু এইবাৰো নিশাহে এই খণ্ড আহিবলৈ পালোঁ। গতিকে বন্ধেলৈ ঘুৰি আহোঁতে এই দৃশ্য আৰু প্ৰাকৃতিক শোভা চাবৰ উদ্দেশ্যে দিনৰ গাৰীত অহা হব বুলি আমি সকলোৱে আলচ কৰিয়েই মনক বুজাই শান্তনা দিলোঁহক।

নিশা ১।১৯ মিনিটত নাহিক ৰ'ড ষ্টেশ্বন পাই সকলোটি নামিলোঁ। ৰেইটিং ৰুমতে পুৱাৰৈকে থকা হ'ল। Refreshment Room বপৰা চাহ, মিঠাই আদি আনি খালোঁ। জাৰ কালি বুলি জানি শুনি ভালে ভালেই গাই পতি গৰম কাপোৰ নিছিলো। আৰে আমাক সিমান বিজ্ঞৰ নোৱাৰিবে।

ৰাতিতে যদিও ২৷৯ জন গাওঁই আহি আমাক তেওঁবিলাকৰ হাত কৰিবলৈ বিচাৰিছিল, আমি নগলোঁ। তেওঁবিলাকৰ নাম সোধাত আৰু আমাৰ পাওঁজনৰ নামে সৈতে নিমিলাত আমি কেৰেপকে নকৰিলোঁ। সেই ৰাতি পুৱাল অলপ ইফাল সিফাল কৰি মুখ হাত ধুই লৰা-ছোৱালী বিলাকক চাহ-জলপান অলপ খুৱাই ভাৱৰ চাবিঅনা

আৰু সৰুৰ দুই অনা হিছাবে—এখন বাছ (Bus) ত উঠিলো। পাণ্ডাৰ ঠিকনা—শ্ৰীধৰ আন্নাশাস্ত্ৰী ভাৰে, সোমৱাৰ পেঠ, বাৰে গঠি, ঘৰ নং ২০২২" বুলি (Driver) ড্ৰাইভাৰক কোৱা মাত্ৰে মটৰ চলাই দিলে। বাটত তীৰ্থ যাত্ৰাৰপৰা লোৱা টেক্স (Pilgrims tax) লবলৈ এখন গেইটত এজন কৰ্ম্মচাৰীয়ে মটৰ ৰখাবলৈ কোৱাত, ৰখালে। গাই পতি ডাঙৰৰ চাৰি অনা হিছাবে দিয়া হ'ল। তীৰ্থ যাত্ৰী মাত্ৰেই দিব লাগে বুলি আমাৰ জনা আছিল। বাছ (Bus) পুনৰ চলিল। ২০ মিনিটমানৰ পাছত ৭॥০ বজাত পাণ্ডা মহাশয়ৰ ঘৰ পালোগৈ।



বম্বেৰ ভিক্টৰিয়া টাৰমিনাছ ৰেলৱে ষ্টেশন

সকলোৱে থাকিবলৈ তেখেতৰ তিনিমহলীয়া ঘৰৰ ওপৰ মহলাত দুটা ডাঙৰ শোৱা কোঠা আৰু এটা সৰু ৰন্ধা-বঢ়া-কোঠা দেখুৱাই দিলে। নাদ, পায়খানা, পানীৰ কল, হাট-বজাৰ, দোকান সকলো দেখুৱাই দিলত আমি সকলোৱে কাপোৰ-কানি থান-থিত লগাই লৈ পুণ্য শলিলা ৺ গোদাৱৰী নদীত স্নান কৰিলৈ ওলালোঁ।

সেই দিনা মই আৰু মোৰ বন্ধু দুয়ো বৰতেৰে আছিলোঁ। তাৰ পাছ দিনালৈ মোৰ আইৰ শ্ৰাদ্ধৰ তিথি। আৰু তেওঁৰো মৃত মাক আৰু দেউতাকৰ পিণ্ডদানৰ অভিপ্ৰায়েই ইয়ালৈ অহাৰ মুখ্য উদ্দেশ্য আছিল গতিকে, স্নান কৰি আহি আমি দুয়োৰ বাদে সকলোৱে ৰন্ধা-বঢ়া কৰি খাবৰ নিমিত্তে ওচৰৰপৰা লাগতিয়াল সকলো বস্ত্ৰ যোগাৰ কৰি দিলো। আমি দুয়ো ফলাহাৰ কৰিলোঁ। তেওঁবিলাকেও খোৱা-বোৱা কৰি অটালত সকলোৱে কিছুপৰ বিশ্ৰাম কৰি পাণ্ডা মহাশয়ক মাতি আনি ক'ত ক'ত কি চাবলগীয়া আছে, কেতিয়া কি কি চাব যাব পৰা হব ইত্যাদি মীমাংসা কৰি সেই দিনা কলৈকো নগৈ জিৰণি ললোঁ।

ৰবিবাৰ, পাছদিনা পুৱাই নিত্য কৰ্ম্ম আদি সমাধা কৰি পাণ্ডা ঠাকুৰক লগত লৈ আমি দুয়ো "ৰামকুণ্ড" ঘাটত স্নান কৰি যথাবিহিতৰূপে পিণ্ডদান কৰিলোঁ। গোময় আৰু গঙ্গামাটি গাত ঘহি মন্ত্ৰ পঢ়ি পুণ্যতোয়া ৺ৰী গোদাৱৰী নদীত স্নান কৰাৰ পাছত বাস্তৱিকেই আমাৰ মনত এনে এটা পৱিত্ৰ ভাব উদয় হৈছিল যে তাক বৰ্ণনা কৰাই টান। দুয়ো পৰস্পৰ মনৰ ভাব প্ৰকাশ কৰিহে ভাল লাগিছিল, যেন একোটা নতুন পৱিত্ৰ শৰীৰহে ধাৰণ কৰিলো।

কিম্বদন্তি আছে, যে ৺শ্ৰীৰামচন্দ্ৰই পিতা ৰজা দশৰথৰ পিণ্ড এই কুণ্ডতেই দিছিল আৰু হাতে হাতে নিজে আহি লৈছিলহি বুলিয়েই এই কুণ্ডৰ নাম "ৰাম কুণ্ড" হৈছে। ঘাটৰ পাৰ সুন্দৰৰূপে ইটাৰে বন্ধোৱা। পিণ্ডদান, পূজা আদি সকলো কাৰ্য্য সুবিধামতে কৰিবলৈ কুণ্ডৰ পাৰতে ওখকৈ পকা সৰু ঘৰ এটাও সাজোৱা আছে। নৈৰ দুয়ো পাৰে মন্দিৰ আদি আৰু ২।৩ মহলীয়া ঘৰ আৰু গছ গছনিৰ দৃশ্য অতি মনোৰম। দক্ষিণ পাৰে তপোবন আৰু পঞ্চবটী বন আৰু উত্তৰ পাৰে নাছিক। গোটেইবিলাক দন্দকাৰণ্যৰ অন্তৰ্গত। এতিয়া আগৰ অৰণ্য নাই। ঠায়ে ঠায়ে নগৰৰ নিচিনা ধাৰণ কৰিছে।

ভৰ দুপৰ পাৰ হ'লত খোৱা-বোৱা কৰি অলপ জিৰাই শতাই ৩ মান বজাত সকলোটিয়ে খোজ কাঢ়ি পঞ্চবটী বন, তপোবন, সুৰ্পনখাৰ নাক কটা ঠাই, ৰাম লক্ষণৰ পৰ্ণ-কুটীৰৰ ঠাই আদি দৰ্শন কৰিবলৈ ওলাই গলো। প্ৰায় ৩ মাইলমান গৈ সকলোবিলাক দেখি মনতে সঁচাকৈয়েই যে এইবিলাক ঘটনা ঘটিছিল তাৰ প্ৰত্যক্ষ প্ৰমাণ স্বৰূপ বিশ্বাস জন্মি ৰামায়ণৰ কথা মনত পৰি নিৰুপম আনন্দ লাভ কৰিলো।

কপিল-গঙ্গা সেই খিনিতেই বৈ গৈছে। "বশিষ্ঠাশ্ৰমৰ" নিচিনা প্ৰাকৃতিক শোভা আৰু কুলু কুলু ধ্বনিৰে বৈ যোৱা ঝৰণাৰ দৃশ্য অতি মনোৰম। তাৰ পাৰতে কপিল মুনিৰ ধ্যানৰ মূৰ্ত্তি দেখিলে ধাৰণা হয় যেন বাস্তৱিকেই তেখেতে তপস্যাৰ বলত গঙ্গাক আহ্বান কৰি সেই পিনেই বোৱাইছিল। পঞ্চবটী তপোবনৰ তেতেলী, বেল, তৰুৱা কদম, আম, জামু আদি গছবিলাকে যেন সেই কালৰ পুণ্য-স্মৃতি এতিয়াও সোঁৱৰাই বিৰাজ কৰিছে। ৰাম-মন্দিৰ আৰু বেলেগে ওচৰতে লক্ষ্মণ মন্দিৰ চাবলগীয়া। অলপ ওচৰত কপিল-গঙ্গাৰ পাৰত মোহিনীবেশে সুৰ্পনখাৰ মূৰ্ত্তি আৰু অগষ্ট্য মুনিৰ মূৰ্ত্তি আছে। এইবিলাককে চাই আৰু সৰহ পলম নকৰি ঘৰলৈ উভতিলোঁ। বাটত টঙা গাৰী পাই দুয়ো ঘৰৰ দুখন ১৲ টকাত বন্দোবস্ত কৰি পণ্ডাৰ ঘৰলৈ আহিলো। সন্ধ্যা লগাৰ লগে লগে আমিও ঘৰ সোমালোঁহি।

সোমবাৰ বেলা ২ বজাত দুয়ো ঘৰে মিলি আৰু লগত পাণ্ডাৰে সৈতে অহা যোৱাৰ ভাৰা ৮॥০ অনাত বন্দোবস্ত কৰি এখন সৰু (Bus) বাছ গাৰীত ত্ৰ্যম্বকনাথ মন্দিৰ দৰ্শন কৰিবলৈ ওলালোঁ। তালৈ যাওঁতে বাটত ২।৩ মাইল জুৰি আলিৰ দুয়ো কাষে কাষে আঙুৰৰ বাগান, মধুৰী আমৰ বাগান, ডালিমৰ বাগান, আম বাগান, গম, ঘেহুৰ খেতি ইত্যাদি দেখি বৰ ভাল লাগিল। এইবিলাক দেখিয়েই আঙুৰ, ডালিম মধুৰীআম, ইত্যাদি মনো-মোহা ফলবিলাক যে বম্বে, কলিকতা আদি ডাঙৰ ডাঙৰ চহৰত দোকান ভৰাই সদাগৰবিলাকে আমদানী কৰি বহু ধন উপাৰ্জ্জন কৰিছে তাৰ কথা মনত পৰে। কাৰবাৰী সকলেও এইবিলাক দেখি বেচি কিনি লাভ কৰিছে। ইয়াত এইবিলাক বস্তু সস্তা হবই হব। আমাৰ সেই ফালে ইহাত সিহাত হৈ যাওঁতে যাওঁতে গেলি ৰহি, বেপাৰীয়েও লাভৰ ওপৰত লাভ লওঁতে লওঁতে ইয়াৰ দামৰ ৩।৪ গুণ পৰেগৈ। এইবিলাকৰ বিষয়ে কথা হৈ হৈ ১৬ মাইলমান যোৱাৰ পাছত এখন গেইট পালোঁগৈ। আলিৰ কাষতে এটি ঘৰ, তাৰে বাৰান্দাতে ৪।৫ বছৰীয়া মাহবাট্টি লৰা এটাই মথুৰা পাগ মাৰি ঠিয় হৈ আমাৰ মটৰ ড্ৰাইভাৰটোৰ ফাললৈ চাই হাত দাঙি মটৰ ৰখাবলৈ কলে। এই সৰু লৰাটিয়ে সাহসেৰে চকিদাৰী কৰা দেখি আনন্দত ধন্যবাদ নিদি নোৱাৰিলো। মটৰ ৰখালত বোধ কৰো তাৰ বাপেকে এখন বহি লৈ আহি আমাৰ নাম আৰু আমি কলৈ যাওঁ, ক'ৰপৰা আহিছোঁ সুধি লৈ ইয়াতো তীৰ্থ যাত্ৰীৰ টেক্স লাগে বুলি কলত চাৰি অনা হিছাপে ডাঙৰ কেজনৰ দিয়া হ'ল। তাৰ পাছত মটৰ চলাবলৈ ক'লত, চলাই দিলে। ২০ মিনিটমানৰ পাছত ত্ৰিম্বক নাথ মন্দিৰ পালোগৈ। থকা ঠাইৰপৰা ই ১৮ মাইল।

মন্দিৰৰ ওচৰতে আমাৰ পাণ্ডাৰ আত্মীয়ৰ ঘৰত বহি সকলোৱে অলপ চাহ খাই ওচৰৰে নীলাম্বিকা দেৱীৰ মন্দিৰ দৰ্শন কৰিলোগৈ। ইয়ো এটা সৰু পাহাৰৰ ওপৰত। প্ৰায় ২০০ টামান চিৰি উঠি যাব লাগে। ওপৰৰপৰা তলৰ ঘৰ দুৱাৰ গছগছনিৰ দৃশ্য অতি সুন্দৰ। চাই পঠিয়ালে ইয়াৰ "মালাৱাৰ হিলৰ" ওপৰত থকা ফুলনি বাগিছাৰপৰা দেখা দৃশ্যলৈ মনত পৰে।

আৰু এটা পৰ্ব্বতৰ ওপৰত ৭৫০ টা চিৰি উঠি গ'লে গঙ্গা মুখ পায়গৈ (ইয়াকে Godavari source বোলে)। তাত গোমুখী গোদাবৰীৰ সোঁতৰ মুখ আছে আৰু এটি কুণ্ডও আছে। সময়ৰ অভাবত আৰু যোৱাও কষ্টকৰ বাবে যাব পৰা নগ'ল। সৰু লৰা-ছোৱালী তালৈ লৈ যাব খুজিলে দোলা কৰি নিয়াৰ ব্যৱস্থা আছে। অহা যোৱাৰ দুলীৰ ভাৰা ২৲ টকাকৈ পৰে।

নীলাম্বিকা মন্দিৰ চাই আহি, গধূলি ত্ৰ্যম্বক নাথজীৰ পঞ্চমুখী সোণৰ মূৰ্ত্তিক গোদাবৰী কুণ্ডত দধি, দুগ্ধ, ঘৃত আৰু মধুৰে স্নান কৰোৱা, পূজা আৰু আৰতি দিয়া দেখি বৰ ভাল লাগিল। কেৱল এদিনহে সোমবাৰে এই মূৰ্ত্তি উলিয়াই স্নান কৰায়। ভাগ্যক্ৰমে আমিও সোমবাৰেই তালৈ গৈছিলো আৰু দৰ্শনৰ সুযোগ পালো। এই মূৰ্ত্তি মাত্ৰ ডিঙিলৈকে গঢ়া, পকা খাটি সোণৰ প্ৰায় ৮০ তোলাৰ হব। সৰহ হলেও কম নহয়। ত্ৰ্যম্বক নাথ মন্দিৰৰ ওপৰৰ সোণৰ কলছিও বোলে পকা ৬৪ তোলা সোণৰে তৈয়াৰী। এই মূৰ্ত্তি মন্দিৰৰপৰা উলিয়াই বৰ

ধুমধামেৰে শোভা যাত্রা কৰি বেও, বিকুল, শিঙা, পেঁপা শানাই, শঙ্খ আদি ধ্বনিবে আগবঢ়াই আনে আৰু পূজা আৰতি দি থয়গৈ।

তাৰ পাছত পঞ্চ পাণ্ডবৰ দিনবে বহু মূলীয়া যেণে-কপ-মণি মাণিকেৰে গঢ়া মুকুট, মন্দিৰবপৰা উলিয়াই মণ্ডপৰ ভিতৰতে বাইজক দেখুৱায়। ইয়াকো চাবলৈ পাণ্ডাজনে লৈ গৈ সুযোগ দিয়াত বৰ আনন্দ পালোঁ।



বম্বেৰ দুটি অসমীয়া পৰিয়াল

সকলো চাই আকৌ মটৰত আহি বাতি ৯ বজাত ঘৰ পালোঁহি।

পাছ দিনা খোৱা বোৱা কৰি ৪ বজাত পাণ্ডৱ গুহা চাবলৈ গাড়ী টকাত এখন মটৰ ভাৰা কৰি ওলালোঁ। ই নগৰবপৰা ৫।৬ মাইলৰ ভিতৰত। পঞ্চপাণ্ডৱ পাশা খেলত হাৰি ৰাজ্যচ্যুত হৈ দৈত্যবনত ১২ বছৰ বনবাস থাকি কাল কটাওঁতে এই পৰ্ব্বতৰ গুহাতে আছিলহি বুলি অনুমান হয়। ইয়াত ২৩ টা গুহা আছে। গৱৰ্ণমেণ্টৰপৰা মঠ-মন্দিৰ মূৰ্ত্তি আদিৰ পুৰণা স্মৃতি ৰক্ষা কৰা আইন মতে (Monument Preservation act) গুহা আৰু মূৰ্ত্তি বিলাকৰ কেউফালে সুন্দৰৰূপে পৰিষ্কাৰ কৰাই, চকীদাৰ ৰখাই যতনে ৰাখিছে। পৰ্ব্বতত উঠা বাট-পথ পৰিষ্কাৰ আৰু মেৰামত কৰাই থাকে। পাহাৰৰ তলত মাটি খানি আৰু এটা গুহা উলিয়াবলৈ কুলী ৪।৫ টাই কাম কৰি থকা দেখি আহিছো। গুহাবিলাক শিলেৰে বন্ধোৱা; তাৰে দুটা বৰ ডাঙৰ। এটা দুমহলীয়া। দুৱাৰৰ সন্মুখত প্রকাণ্ড ৫।৬ মাইল জুৰি মুকলি পথাৰ। আটাইবিলাক গুহা পুৰ মূলীয়া। সকলো চাই গধূলি ঘৰ পালোঁহি।

পাছ দিনা ১২ বজাত পাণ্ডাবপৰা বিদায় লৈ নাছিক ৰ'ড ষ্টেশ্বনলৈ ৰাওনা হলোঁ। ১-১৫ মিনিটত বেলত উঠিলো। এইবাৰ আমাক কোনে পায়! খুৰি আহোতে বৰ আনন্দেৰে আহিলো। আগেয়ে আলচ্য আছিল, দিনৰ বেইলত আহিম বুলি। আটাইবোৰ সুৰঙ্গ (Tunnel) আৰু চুমো কাসৰ পৰ্ব্বতীয়া গছ-গছনিৰ প্রাকৃতিক দৃশ্য চাবলৈ পালো। "মানা" আৰু "কল্যাণ" জংশ্বনৰ মাজত এটা সুৰঙ্গ প্রায় ২ মাইল হব। পাৰ হওঁতে ২ মিনিটৰ ওপৰ লাগিল। একোটা পাহাৰৰ টিং গছ গছনি নোহোৱা যেন মন্দিৰহে সজাই থৈছে। মাজে মাজে একোটা যেন তাজমহলহে।

মাতেতে প্রায় আধাঘণ্টামান বন্ধুৰ সৰু-মাছু ছোৱালী টিয়ে গৰমত বৰ আছুকাল লগালে। বাস্তৱিকেই বেইটামান ষ্টেশ্বন পাৰ হৈয়েই আমাৰ আটাইবে বৰ গৰম বোধ হৈছিল। তাৰ কাৰণ, সেই ঠাইৰ প্রায় চাৰিওফালে পৰ্ব্বত আৰু নাছিকবপৰা প্রায় ৩০ মাইল আঁতৰি আছিলো। নাছিক হৈছে বম্বেবপৰা ১১৭ মাইল দূৰত আৰু বম্বেতকৈ ১৮৪১ ফিটৰ ওখ ঠাই। সেই কাৰণেই এই ঠাইৰ তাপ অলপ বেছি হবৰে কথা।

গধূলি ৭-১৫ মিনিট যোৱাত দাদাৰ ষ্টেশ্বন পালোহি। আমিও আগবদৰেই গাৰী একোখন ভাৰা কৰি দিহা দিহি ঘৰলৈ আহিলোঁ।

———

কামাখ্যা-তীর্থ

(স্কন্দ পুৰাণৰ পৰা অনুদিত)

পণ্ডিত —শ্রীযুত কামাখ্যাচৰণ ভট্টাচার্য্য

(৬)

শ্রীকৃষ্ণই কলে,—হে মহাৰাজ যুধিষ্ঠিৰ! শুনক; মই ঘণ্টাংকচৰ সুপাত্রীৰ কথা কওঁ। সম্প্রতি তেওঁ মনোহৰ আৰু শ্রেষ্ঠ প্রাগজ্যোতিষপুৰত আছে। হে পৃথানন্দন! তেওঁ অম্বুতকর্ম্ম মূক দৈত্যৰ কন্যা। মূক দৈত্য নৰক দৈত্যৰ প্রাণতুল্য সখি আছিল। সেই পাশ-দুর্গাশ্রয়ী ভীষণ মূক আৰু দুৰাচাৰ নৰকক মই বধ কৰিছোঁ; আপুনি সেইবোৰ কথা জানে। মই মূক দৈত্যক বিনাশ কৰাৰ পিছত, অতিশয় শক্তিশালিনী "কামকটঙ্কটা" নামে তেওঁৰ জীয়েকে মোৰ লগত যুজিবলৈ আহিছিল। তেওঁ খড়্গ আৰু খেটক অস্ত্ৰৰ দ্বাৰা মহাগুহ্যত প্রবৃত্ত হলত মই তেতিয়া শাঙ্গ'দনুষ্টঙ্কাৰ মহাবাণ নিক্ষেপ কৰি তেওঁৰ লগত যুজিবলৈ ধৰিলোঁ। তেওঁ খড়্গোৰে মোৰ নিক্ষিপ্ত বাণবোৰ কাটি, ইতালিকে আহি গৰুড়ৰ মুখত খড়্গাৰ দ্বাৰা প্রহাৰ কৰিলে। সেই আঘাতৰ দ্বাৰা গৰুড় মূৰ্চ্ছিত হৈ পৰিল। তাৰ পিছত মই কামকটঙ্কটাক বধিবলৈ সুদর্শনত চক্র উদ্যত কৰিলোঁ। তেতিয়া সেই বণক্ষেত্রত মোৰ আগত কামাখ্যা দেৱী আবির্ভূতা হৈ কলে,—হে পুৰুষোত্তম! কামকটঙ্কটাক আপুনি বধ কৰা উচিত নহয়, দিহেতু মই কামকটঙ্কটাক খড়্গ আৰু খেটক অস্ত্ৰ দান কৰি যুদ্ধত অজেয় কৰিছোঁ। আকৌ মই কামকটঙ্কটাক এপাত শক্তি অস্ত্ৰ আৰু অতুলনীয়া বুদ্ধিও প্রদান কৰিছোঁ। সেই কাৰণে তুমি তিনি বাতি চেষ্টা কৰিও মূৰক কঙ্কাক পৰাজয় কৰিব পৰা নাই। কামাখ্যা দেৱীয়ে এই কথা কোৱাৰ পিছত, মই কলোঁ,—হে শুভে! মই যুজিব পৰা নিযুক্ত হলো; আৰু আপুনিও কামকটঙ্কটাক যুজিবলৈ নিষেধ কৰক। তাৰ পিছত কামাখ্যা দেৱীয়ে সেই ভক্তা কাম কটঙ্কটাক আলিঙ্গন কৰি কলে,—হে ভদ্রে! তুমি বণৰ

পৰা নিবৃত্ত হোৱা। এই মাধৱক যুজত কোনোৱে জয় কৰিব নোৱাৱে। তেওঁক সমৰত জয় কৰিব পৰা কোনো হোৱা নাই, বৰ্ত্তমানো নাই ; আৰু নহব।

* * * *

কামাখ্যা দেৱীয়ে এইভাৱে কোৱাৰ পিছত কাম কটকটাই গং এবি কাপোৰেৰে গা ঢাকি আহি, মোক প্ৰণাম কৰিলে। হে ভৱত শ্ৰেষ্ঠ! ময়ো কামকটকটাক আশীৰ্ব্বাদ কৰি কলোঁ যে, তুমি এই নৰক দৈত্যৰ পুৱতেই থকা। মই আৰু পৃথিৱী দেৱীয়ে নৰকাসুৰৰ ৰাজ্যত, তেওঁৰ পুতেক ভগদত্তক ৰজা পাতিছোঁ। ভগদত্তে তোমাক নিজৰ ভনীৰ নিচিনাকৈ প্ৰতিপালন কৰিব।

* * * *

তাৰ পিছত মহাবিক্ৰম ছিড়ম্বৰ পুত্ৰ ঘটোৎকচে সূর্য্যাক্ষ, কালাক্ষ আৰু মহোদৰ নামে অনুচৰ তিনিজনৰ লগত আৱেলি আকাশ-মাৰ্গেৰে প্ৰাগজ্যোতিষপুৰৰ ফালে যাত্ৰা কৰিলে। *

* "অস্তি ৰাজন্ প্ৰৱক্ষ্যামি দাৰাদন্তোচিতাং স্তথাম ॥
সাম্প্ৰতং সংস্থিতা যত্মাং প্ৰাগ্‌জ্যোতিষপুৰে ৰবে ॥৬৬॥
সা চ পুত্ৰী মুৰোঃ পাৰ্থ দৈত্যস্যাহুত কৰ্ম্মণঃ।
যোষ্টসৌ নৰকস্যৈতাঞ্চ প্ৰাণতুল্যঃ সখাভবৎ ॥৩৭॥
স চ মে নিহতো ঘোৰঃ পাশহস্তৰ্ষ সমন্বিতঃ।
নৰকশ্চ দুৰাচাৰস্তমেতদ্বেৎসি সৰ্ব্বশঃ ॥৩৯॥
ততো হতে মুৰৌ দৈত্যে মহা তস্ত সুতাত্ৰজৎ।
যোষ্টং মামতিবীৰ্য্যাদ্ঢ় ঘোৰা কামকটঙ্কটা ॥৩৭॥
তাং ততোঽহং ৰহাযুদ্ধে গদাপাণেটক-ধাৰিণীন্।
অযোধয়ং বহাবাণৈঃ সুশাস্ত্ৰ দদৃষ্যস্তৈত্ৰ ॥৩৮॥

খড়্গেন বিচ্ছেদ ৰাণাস্ত্ৰম সা চ মুৰোঃ সুতা।
সমাগম্য চ খড়্গেন গৰুড়ং মূৰ্দ্ধ্যতাড়য়ৎ ॥৩৯॥
স চ মোহ সমাবিষ্টো গৰুড়োহভূদচেতনঃ।
ততস্তস্তাভুবাৰ্য্যাহং মহা চক্ৰং সমুদ্যতম্ ॥৪০॥
চক্ৰং সমুদ্যতং দৃষ্ট্বা মহা তস্মিন্ ব্যাজিবে।
কামাখ্যা নাম মাং দেবী পুৰং স্থিত্বা মচোঽব্ৰবীৎ ॥৪১॥
নৈনাং হন্তং ভবানৰ্হো বেষ্ণবাং পুৰুষোত্তম।
অত্যেষং মহা দত্তা গদাস্ত্ৰাঞ্চ পেটকম্ ॥৪২॥
বুদ্ধিৰপ্ৰতিমা চাপি শক্তিশ্চ পৰমা বলে।
ততস্তয়া ত্ৰিৰাত্ৰেহণি ন জিতাসীন্মুৰোঃ সুতা ॥৪৩॥
এবমুক্তে তদা দেবী বচনং চাহমব্ৰবম্।
অহমেব নিবৃত্তোহস্মি ৰাবৈনাঞ্চ ৰং ভজে ॥৪৪॥
ততস্তালিঙ্গ্য তাং ভক্তাং কামাখ্যা বাক্যমব্ৰবীৎ।
ভদ্ৰে বাণাদ্বিবর্ত্তধ্ব নাম্নং হন্তং কথঞ্চন ॥৪৫॥
শক্যঃ কেনাপি সমৰে মাৰয়ো বপুষ্কুজঃ।
নহুধৃন্তি ভবিষ্যা যা ৰ এনং সংযুগে ভয়েৎ ॥৪৬॥

* * * *

এবং কামাখ্যয়া প্ৰোক্তা সা চ কামকটঙ্কটা।
তাভ্যা ক্ৰোধেণ সংবৃত্তা গাত্ৰাণি প্ৰণহা চ মাম্ ॥৫০॥
তামহং মাৰিষিঞ্চামি প্ৰাৰোঢ়ং ভবতৰ্ষভ।
অস্মিন্নেৰ পুৰে তিষ্ঠ ভগদত্তং প্ৰপালয়ন্ ॥৫৪॥
মহা দেব্যা পৃথিব্যা চ ভগদত্তং কৃতো নৃপঃ।
স তে পুত্ৰাং বহবিধাং কৰিষ্যতি সহায়্যবা ॥৫৫॥

* * * *

ততো হিড়ম্বাতনয়ো মহৌজাঃ
সূর্য্যাক্ষ কালাক্ষমহোদৰাদয়ুগম্।
বিদ্ৰবংপথং প্ৰাপ্য জগাম তৎপুৰং
প্ৰাগ্‌জ্যোতিষং নাম দিনৰ্দ্ধ পাৱে ॥৮৩॥

৫১ আদ্যা, স্কন্দপুৰাণ (মাহেশ্বৰখণ্ডে কুমাৰিকাখণ্ডম্) (ক্ৰমশঃ)



অসমত জীৱন বীমাৰ ব্যৱসায়

—শ্ৰীযুত ভুৱনচন্দ্ৰ ভূঞা

জীৱন বীমাৰ ব্যৱসায় এতিয়া সভ্য জগতত এটা অপৰিহাৰ্য্য বিষয় হৈ উঠিছে। আন দেশৰ কথাকে নকওঁ অকল ভাৰতবৰ্ষ তথা অসমত এই ব্যৱসায় প্ৰচাৰ সম্বন্ধে দুটা এটা কথা মাত্ৰ উল্লেখ কৰিব খুজিছোঁ।

ভাৰতবৰ্ষত জীৱন বীমাৰ ব্যৱসায়ে ষোল্লা দহ বছৰৰ ভিতৰত ইমান শক্তি সঞ্চয় কৰিছে যে ভাৰিলে আচৰিত হব লাগে। জীৱন বীমাৰ ব্যৱসায় যে অকল ব্যৱসায় এনে নহয়, ই এটা মানুহৰ এনে উপকাৰত আহিছে, চাৰিওফালে চাবলৈ গলে আমালোকে দেখো যে ই মানুহৰ ভবিষ্যতৰ অৱস্থান, বিধবাৰ একমাত্ৰ সম্বল আৰু মাউৱা লৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ সাহায্য স্বৰূপ এটা বল বিশেষ। এনে এটা ব্যৱসায়ে যে মানুহৰ চিত্ত আকৰ্ষণ কৰিব, আৰু মানুহ স্বাৱলম্বী হবলৈ সাহায্য কৰিব ই একো আচৰিত কথা নহয়। সেই নিমিত্তেই ভাৰতৰ শিক্ষিত আৰু সাধাৰণ সম্প্ৰদায়ৰ ভিতৰত জীৱন বীমাই সমাদৰ লাভ কৰিছে। কিন্তু আমাৰ অসমৰ এই ব্যৱসায়ৰ কথা আন প্ৰদেশৰ তুলনাত তেনে স্থান এতিয়ালৈকে লাভ কৰিব পৰা নাই। ইয়াৰ কাৰণ বিচাৰিবলৈ গলে আমি সদায় দেখিবলৈ পাওঁ যে, আমাৰ মানুহে ইয়াক এতিয়াও তেনে ধৰণেৰে উপলব্ধি কৰিব পৰা নাই।

মানুহে ক্ষমতা থাকিলেও জীৱন বীমা কৰিবলৈ আপত্তি কৰাৰ কাৰণ অজ্ঞতা। সেইটো ধ্ৰুৱ বিষয় সন্দেহ নাই। যি জীৱন বীমাই মানুহক পাৰিবাৰিক আৰু সামাজিক উন্নতি পথত আগ বঢ়ায় তাক অজ্ঞতা হেতুকে নকৰাটো আৰ্থিক উন্নতিৰ মূলত যে ব্যাঘাত জন্মোৱা হয় তাত সন্দেহ নাই। জীৱন যুদ্ধ দিনে দিনে কেনে কঠোৰ হৈ আহিছে, সেইটো লক্ষ্য কৰি নথকা মানুহ বোধকৰো বহুত কমেই আছে। এই জীৱন যুদ্ধত জীয়াই থাকিবলৈ হলে মানুহৰ নিৰ্ব্বাহিত কৰ্ত্তব্য কৰিব লাগিব। জীৱন বীমাও এনে এটা কৰ্ত্তব্যৰ ভিতৰত বুলি ধৰিলে ভুল নহব। যি এনে কৰ্ত্তব্যত অৱহেলা কৰে, এজন আমেৰিকান বিশ্বপৰ কথাকে কবলৈ গলে, সি অকল যে কৰ্ত্তব্যহীন এনে নহয়, সি ঘোৰতৰ পাপীও। কিয়নো যেতিয়া মানুহে পাৰিবাৰিক জীৱন যাপন কৰে সি তাৰ ভবিষ্যত বিধবা স্ত্ৰী আৰু অনাথ লৰা-ছোৱালীৰ প্ৰতিপালনৰ কৰ্ত্তব্যটো মৃৱত তুলি লয় আৰু সেই কৰ্ত্তব্যটো মানুহৰ সভাতাৰ এটা অঙ্গ স্বৰূপ।

কিন্তু দেখিবলৈ পোৱা যায় যে আমাৰ অসমীয়া মানুহৰ ভিতৰত এই কৰ্ত্তব্য জ্ঞানে পূৰ্ণ বিকাশ লাভ কৰিব পৰা নাই। এতিয়া কি কৰিলেনো ই বিস্তাৰ লাভ কৰিব পাৰিব সেইটোহে ভাবিবলগীয়া কথা, ইয়াৰ ভিতৰত এটা কথা এই যে, যেতিয়াইঁকে মানুহে সম্পূৰ্ণভাৱে জীৱন বীমা বিষয়টো বুজিব নোৱাৰিব তেতিয়ালৈকে আমাৰ দেশত ইয়াৰ বিস্তাৰ লাভ কৰা অসম্ভৱ। সেই কাৰণেই এই বিষয়ে শিক্ষাৰ প্ৰয়োজন। অৱশ্যে বীমা কৰ্ম্মীসকলৰ উদ্যম আৰু পৰিশ্ৰমৰ ফলত মানুহে যে অলপ উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছে, তাক অস্বীকাৰ কৰিব নোৱাৰি।

অসমত যিমান বিলাক বীমা কৰ্ম্মী আছে, তেওঁবিলাকৰ ভিতৰত আমাৰ অসমীয়া মানুহ নিচেই কম। বিদেশী এজেণ্ট আৰু কৰ্ম্মচাৰীয়ে অসমৰ প্ৰতি নথৰ আৰু গাৰেঁ ভুৰ ভৰি পৰিছে। কিন্তু এই বিষয়ত আমাৰ দেশৰ বাবে অসমীয়া উদ্যমী আৰু পৰিশ্ৰমী মানুহৰ প্ৰয়োজন বৰ বেছি হলেও আশ্চৰ্য্যৰ বিষয় এয়ে যে এতিয়াও অসমীয়া কৰ্ম্মী সেই অনুপাতে লোৱা হোৱা নাই। ইয়াৰ ফলত অসমীয়াৰ নিজৰ প্ৰাপ্য বিদেশীয়ে অধিকাৰ কৰিছে। যদি আমি

কৰ্ত্তব্যনিষ্ঠ হৈ আৰু যথাৰীতি শিক্ষা লাভ কৰি এই ব্যৱসায় হাততে লওঁ তেনেহলে আমালোকৰ নিজৰ মানুহৰ দ্বাৰা তাক পৰিচালিত কৰিব পৰা যাব আৰু অদূৰ ভবিষ্যতে সেইদিন আহিব বুলি আশা কৰি থাকিলো।

ভাৰততে এতিয়াইলৈকে যিমান বীমা কোম্পানি স্থাপিত হৈছে আৰু ইয়াৰ ভিতৰত যিমান কোম্পানিয়ে প্ৰতিষ্ঠা লাভ কৰিছে সেইবিলাকৰ সংখ্যা তেনেই কম নহয় আৰু এইবোৰ প্ৰতিষ্ঠানৰ প্ৰায় কোম্পানিয়ে অসমত কাম কৰিছে। অসমৰ নিজ বীমা কোম্পানি এটা হৈ হুঠ লৈকে অসমীয়া এজেণ্টৰ হুতুৰাই অসমীয়াইলৈ সংগ্ৰহুতিশীল ভাৰতীয় কোম্পানিবোৰতে বীমা কাৰ্য্য চলাব লাগিব। ভাৰতীয় হুটা এটা কোম্পানিত আজি কালি অসমীয়া ডিৰেক্টৰ নিয়োগ কৰা দেখা যায়। কলিকতাৰ মাটিন কোম্পানিৰ পৰিচালিত ইণ্ডিয়ান লাইফ ইন্সিওৰেন্স কোম্পানিয়ে অলপতে শ্ৰীযুত বোহিণীকুমাৰ বৰুৱা এম, এ দেৱৰ পলিছি হ'লডাৰবপৰা মনোনিত সভ্য কৰি বৰ্ড অৰ ডিৰেক্টৰৰ ভিতৰত স্থান দিছে। ভাৰতীয় আন ভাল ভাল কোম্পানিবিলাকে এনে উদাহৰণ দেখুৱালে অসমীয়া মানুহে যে সেইবিলাক কোম্পানিলৈ আকৃষ্ট হব, তাত কোনো সন্দেহ নাই।

অসমত বীমা বিষয়ে যথেষ্ট ক্ষেত্ৰ পৰি আছে। আমি কেৱল সঙ্ঘবদ্ধ হৈ কাম কৰিব পাৰিলেই এদিন বীমাৰ ব্যৱসায়ে অসমৰ গৌৰৱ বঢ়াব পাৰিব আৰু আমাৰ অসংখ্য যুৱক আৰু কৰ্ম্মীৰ জীৱিকাৰ উপায় ওলাব।



মহিলা জগত

য়ুৰোপত ভাৰতীয় ছাত্ৰীৰ ভ্ৰমণ

কেইমাহমানৰ আগতে ভাৰতৰ ১৯ গৰাকী ছাত্ৰীয়ে সামাজিক আৰু শিক্ষা বিষয়ৰ অভিজ্ঞতা লাভ কৰিবলৈ য়ুৰোপত ভ্ৰমণ কৰিবলৈ গৈছিল। তেওঁলোকে তাত নানা



য়ুৰোপত ভ্ৰমণ কৰা এডিনবাৰত ভোলা ভাৰতীয় ছাত্ৰীসকলৰ ছবি

ঠাই ভ্ৰমণ কৰি আৰু নানা বিষয়ৰ জ্ঞানলাভ কৰি অলপতে ভাৰতলৈ উভতি আহিছে।

এবিছিনিয়াৰ সম্ৰাজ্ঞী

ইটালি আৰু এবিছিনিয়াৰ মাজত যি বিবোধৰ সৃষ্টি হৈছে এই সম্পৰ্কে এবিছিনিয়াৰ সম্ৰাজ্ঞীয়ে ইটালিৰ বিৰুদ্ধে এবিছিনিয়াৰ নাৰী- শক্তিক জগাই তুলিবলৈ অনেক বীবোচিত উক্তি কবিছে। তেওঁৰ এই উক্তিবিলাকলৈ পৃথিবীৰ নাৰী সমাজৰ দৃষ্টি আৰু মনোযোগ আকৃষ্ট হৈছে। তেওঁ কৈছে—"আমাৰ যুবজীয়ে সাক্ষী দিব যে আমাৰ তিবোতাসকলে সদায় পুৰুষৰ লগত যুদ্ধ ক্ষেত্ৰলৈ গৈছিল। তেওঁলোকে পৰ্ব্বতে-পাহাৰে হাবিয়ে-বননিয়ে পুৰুষৰ আহাৰ যোগাবলৈ, তেওঁলোকক পবিচর্য্যা কবিবলৈ আৰু আৱশ্যক হলে বন্দুক, তবোৱাল লৈ যুজিবলৈ সদায় সাজু।

"হুকুবি বছৰৰ আগেয়ে সম্ৰাজ্ঞী টিটুৱে যি দবে ইটালিৰ বিৰুদ্ধে যুদ্ধ ক্ষেত্ৰত নামিছিল আজিও ঠিক তেনেকুৱাই হব। বাণী টিটুৱে এবিছিনিয়াৰ সৈন্যক নিজ হাতে শুশ্ৰূষা কবি উৎসাহিত কবিছিল।"

তেওঁ আকৌ কৈছে—"আমাৰ অনিচ্ছা সত্ত্বেও যদি ইটালিয়ে আমাৰ লগত যুদ্ধ কবে তেন্তে আমাৰ



এবিছিনিয়াৰ সম্ৰাজ্ঞী

তিবোতাসকলে পুৰুষৰ লগত সমানে যুদ্ধলৈ যাব। আমি তেওঁলোকক শুশ্ৰূষা আৰু উৎসাহিত কবিম।

"আৱশ্যক হলে আমাৰ তিৰোতাসকলে সৈন্যৰ বেশ ধাৰণ কৰি যুদ্ধ কৰিব। আমাৰ স্বদেশ আৰু স্বাধীনতাৰ কাৰণে আমি শেষ মুহূর্ত্তলৈকে যুজিম; কেতিয়াও পশ্চাদপদ নহওঁ। .....আমাৰ তিৰোতাই খোজ কাঢ়িবলৈ ভয় নকৰে। পুৰুষৰ লগত সমানে যাব পাৰে।"

"পুৰুষৰ হাতবণৰা বন্দুক যদি পবিলে তেওঁলোকে ততালিকে তুলি লব। পুৰুষৰ লগতে তিৰোতাসকলেও মবিবলৈ ভাল পাব"

ফ্রান্সত নাৰী আন্দোলন

ফ্রান্সৰ সভ্যতাই এই কুৰি শতিকাৰ নাৰী জাগৰণ আৰু স্বাধীনতাৰ দিনতো ফৰাছী তিৰোতাসকলক ভোটাধিকাৰ



নাৰীৰ বহু লাঞ্ছনা কাবণে আন্দোলন কবিবলৈ এখন সভা আপান কবি জানমী আবি দিছে।

প্রদান কবা নাই। তেওঁলোক এতিয়াও পুৰুষৰ কর্তৃত্বাধীন আৰু সম্পত্তি স্বৰূপ।

ফৰাছী আইনো পুৰুষৰ সুবিধাৰ কাবণেই প্রণয়ন কবা হৈছে। ফ্রান্সত তিৰোতাই মাটি-বাৰী আদি স্থাবৰ সম্পত্তি নিজৰ নামত চলাই থাব নোৱাৰে, বেছত নিজে



ফৰাছী নাৰীসকলৰ গোহাৰি। এটা পেটৰ সমুখত ডাঙৰ ডাঙৰ জানমী লৈ ফ্রান্সৰ তিৰোতাসকলে ভোটাধিকাৰৰ দাবী কবিছে।

টকা জমা বাখিব নোৱাৰে, কোনো দলিলত চহী কবিব নোৱাৰে; অইন কি আপোন ইচ্ছামতে নিজৰ লবা-চোৱাৰীৰ ভৰণ-পোষণ কবিবলৈও সিদ্ধান্ত কবাত আইনৰ বাধা।

ফ্রান্সৰ এজন স্বামীয়ে যিমান সহজে নিজৰ পত্নীক তালাক দিব পাৰে পত্নীয়ে স্বামীক সিমান সহজে নোৱাৰে। তাগক দিয়াৰ আগতে পত্নীয়ে স্বামীৰ অনুমতি আৰু সম্মতি লাভ কবিব লাগিব। নহলে তেওঁৰ সকলো সম্পত্তি স্বামীয়ে বিক্রী কবি পেলাব পাৰে। গিৰীয়েকে য'তে থাকিবলৈ সিদ্ধান্ত কবে তিৰোতাই বাধ্য হৈ তাতেই থাকিবলৈ সম্মত হব লাগিব। যদি স্বামীক এবি গৈ যাবলৈ পত্নীয়ে ভয় দেখুৱায় তেন্তে স্বামীয়ে নিজৰ পত্নীক আইনমতে মাবি লযোনে-ভোকে গৈ কাপোৰ-কানি আৰু টকা-কড়ি কাঢ়ি লব পাৰে।

যৈণীয়েকলৈ অহা সকলো চিঠি গিৰীয়েকে খুলি পঢ়ি চাব পাৰে আৰু ইচ্ছা কবিলে সেই চিঠি যৈণীয়েকক তেওঁ নিদিব পাৰে। নিজৰ পিতৃ-মাতৃক চাবলৈ ইচ্ছা প্রকাশ

কবিলেও গিৰীয়েকে যৈণীয়েকক বাধা দিলে ইয়াৰ বিৰুদ্ধে ফ্রান্সত মাত মাতোতা কেওঁ নাই।

নাৰী স্বাধীনতাৰ এই প্রতিবন্ধকবিলাকৰ বিৰুদ্ধে ফ্রান্সৰ এক শ্রেণী শিক্ষিত তিৰোতাই আজি বহু দিন্তি উঠিছে। তেওঁলোকে স্বাধীনভাৱে মাটি-বাৰী আৰু কাৰবাৰ চলাবলৈ আৰু ভোটাধিকাৰ পাবলৈ আন্দোলন চলাইছে। কিন্তু ফ্রান্সৰ নাৰীসকলৰ এই আন্দোলনত ৰুছৰ আগতে বিলাতত হোৱা নাৰী আন্দোলনকে অতি ধীৰ, স্থিৰ আৰু অহিংস। তেওঁলোকৰ কার্য্যত হিংসা আৰু বিদ্রোহৰ বীজ নাই। এই বিষয়ে ফ্রান্সৰ নাৰী আন্দোলনৰ নায়িকা মেডেম চেছকিনে কৈছে "আমাৰ আন্দোলনৰ দ্বাবা পুৰুষসকলক শত্রুতা কবিবলৈ আমাৰ ইচ্ছা নাই। বৰং সমাজৰ এটা অন্যায় মোচনৰ বাবে পুৰুষসকলৰ মৰম আৰু বন্ধুতা লাভ কবিবলৈ আৰু এই বিষয়ে আমাৰ লগত সহযোগিতা কবিবলৈ তেওঁলোকক আমি নিমন্ত্রণ কবি আছোঁ। আমি পুৰুষ আৰু তিৰোতাৰ মাজত থকা সম্পর্ক উচ্ছেদ কবিবলৈ বিচবা নাই, মাপোন আমি অন্যায় আৰু অপকার্য্যৰ প্রতিকাৰ কবিবলৈহে বিচাবিছোঁ।"

উদাহৰণ স্বৰূপে দেখুৱাবলৈ গলে, কিছুদিনৰ আগতে ফ্রান্সত যি মিউনিছিপেল নির্ব্বাচন হৈ গল তাত ফৰাছী নাৰীসকলে ভোটাধিকাৰ লাভ কবিবলৈ যি "সংগ্রাম" চলাইছিল সেই সংগ্রামত পুলিছৰ বিৰুদ্ধে তেওঁবিলাকে যি অস্ত্র-শস্ত্র প্রয়োগ কবিছিল সেইবিলাক হৈছে মুখত ঘহী পাউডাৰ আৰু কমালত লোৱা এছেন্স! পুলিছৰ গালৈ এইবিলাক অস্ত্র প্রহাৰ কবিয়েই ফ্রান্সৰ তিৰোতাসকলে নাৰী ভোটাধিকাৰৰ সংগ্রাম কবিছিল।

ফ্রান্সৰ নাৰী স্বাধীনতাৰ পথত ফৰাছী ছিনেট সভাই আছল প্রতিবন্ধক। চেম্বাৰ অব ডেপুটিয়ে নাৰীসম্পর্কীয় কোনো বিল পাছ কবিলে ছিনেট সভাই ওফোবাই দিয়ে। তেওঁলোকে কয় যে নাৰীৰ কর্ম্মক্ষেত্র ঘৰখন। ইয়াৰ উত্তৰত মেডেম চেছকিনে কৈছে—"মই এই কথাত সম্পূর্ণ হয়ভৰ দিছোঁ। কিন্তু ঘৰখন কেনেকুৱা হব লাগে এই বিষয়ে কোনো প্রশ্ন নুঠেনে?"



সম্পাদকীয়

শ্ৰীহট্ট বিচ্ছেদ সম্বন্ধে ছছিঅ' ইকনমিক ষ্টাডিজ

কলিকতাৰ অসম ক্লাবত যোৱা ২৫ শাওণ তাৰিখে 'অসম ছছিঅ' ইকনমিক ষ্টাডিজৰ' এটি বিশেষ অধিবেশন বহিছিল। সভাপতি আছিল জমিদাৰ শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়া আৰু নিৰ্দ্দিষ্ট বক্তা আছিল শ্ৰীযুত জ্ঞাননাথ বৰা বি-এলদেৱ। শ্ৰীযুত বৰা ডাঙৰীয়াই নিৰ্দ্দিষ্ট বিষয় "শ্ৰীহট্ট বিচ্ছেদ" সম্বন্ধে এটি বহল আলোচনা দাঙি ধৰিছিল। সেই আলোচনাত শ্ৰীহট্ট জিলাখন কি কি কাৰণে অসমৰপৰা বেলেগ হব লাগে, শ্ৰীহট্ট বিচ্ছেদৰ লগত অসমৰ হিন্দু-মুছলমান আদি সম্প্ৰদায়ৰ কি কি স্বাৰ্থ জড়িত আছে তাক সুন্দৰভাৱে ফহিয়াই দেখুৱাব পাৰিছিল। তেওঁৰ সাৰুৱা যুক্তিপূৰ্ণ সেই আলোচনা 'শ্ৰীহট্ট বিচ্ছেদ' নাম দি এই 'ষ্টাডিজৰ' পক্ষৰপৰা পুস্তিকাৰ আকাৰত বহুল প্ৰচাৰৰ বাবে প্ৰকাশ কৰা হৈছে।

এতিয়া আৰু নকলেও হব যে শ্ৰীহট্টৰ সমস্যা অসমীয়া জাতিৰ এটি জীৱন-মৰণ সমস্যাৰ দৰে হৈ পৰিছে। ইয়াৰ সমাধান নোহোৱালৈকে অসমীয়া জাতিয়ে শান্তি পাব নোৱাৰে। বৰা ডাঙৰীয়াৰ যুক্তিয়ে শ্ৰীহট্ট আন্দোলনৰ বিষয়ে অসমীয়া হিন্দু-মুছলমানৰ ভিতৰত যি মতৰ অনৈক্য ঘটিছিল তাক আঁতৰাব পাৰিব বুলি আমাৰ বিশ্বাস। কাৰণ ইমান দিনে অসমীয়া মুছলমানৰ কিছুমানে শ্ৰীহট্ট বিচ্ছেদ হোৱাটো তেওঁলোকৰ পক্ষে ক্ষতিৰ কাৰণ হব বুলি আশঙ্কা কৰিছিল। তেওঁ সেই আশঙ্কা অমূলক বুলিয়ে প্ৰমাণ কৰি এৰা নাই—তেওঁ দেখুৱাইছে যে শ্ৰীহট্ট বিচ্ছেদ আমাৰ মুছলমান সমাজলৈকো বিশেষ লাভৰহে কথা। তেওঁ দেখুৱাইছে—

অসম	আৰু	শ্ৰীহট্টৰ	জনসংখ্যা	৯২,৪৭,৮৫৭
"	"	"	মুছলমানৰ "	২৭,৮০,৫১৪

অৰ্থাৎ মুঠ জনসংখ্যাৰ শতকৰা ২৯ জন

শ্ৰীহট্ট	বাদে	অসমৰ	জনসংখ্যা	৬৫,২৩,৫১৫
"	"	"	মুছলমানৰ "	১১,৫১,২৩২

অৰ্থাৎ মুঠ জনসংখ্যাৰ শতকৰা ১৭ জন

আকৌ অসম-শ্ৰীহট্টৰ জনসংখ্যা	৯২,৪৭,৮৫৭
শ্ৰীহট্টৰ মুছলমানৰ সংখ্যা	১৬,০৩,৮০৫

অৰ্থাৎ মুঠ জনসংখ্যাৰ শতকৰা ১৭জন। ইফালে শ্ৰীহট্ট বাদ দি অসমৰ মুছলমানৰ সংখ্যা ১১,৫১,২৩২ জন। অৰ্থাৎ মুঠ জনসংখ্যাৰ শতকৰা ১২ জন।

আন এটা হিছাবমতে শ্ৰীহট্ট আৰু কাছাৰ বাদ দিলে অসমৰ জনসংখ্যা হয় ৫৯,৮৫,৮২৮ আৰু মুছলমানৰ সংখ্যা ৯,৫৫,০৩৬ অৰ্থাৎ শতকৰা ১৬ জন। কোৱা বাহুল্য আমাৰ মুছলমান জনসংখ্যাৰ ভিতৰত কাছাৰৰ ১,৯৬,১৯৬ বাদ দি ধৰা হৈছে।

এই হিছাবৰ সংখ্যালৈ লক্ষ্য কৰিলে যি ফালৰপৰাই চোৱা যায় সেই ফালৰপৰাই অনায়াসে বুজিব পাৰি যে অসমীয়া মুছলমানসকলৰ বেলেগ স্বাৰ্থৰ বাবে যিমান সোনফালে শ্ৰীহট্ট বিচ্ছেদ হয় সিমানে মঙ্গল। শ্ৰীহট্টক সাবটি ধৰি মিছাতে মুছলমান পাৰ্ছেন্টেজ বঢ়াই দেখুৱাবলৈ গলে ভাবপ্ৰৱণতা দেখুৱা হব পাৰে; কিন্তু লাভ একো নহয়।

এনেকৈ বৰা ডাঙৰীয়াই অসমীয়া হিন্দু-মুছলমানক শ্ৰীহট্ট বিচ্ছেদ বিষয়ৰ আৱশ্যকতা দেখুৱাই সেই আন্দোলন কাৰ্য্যকৰী কৰি তুলিবলৈ পন্থা নিৰ্দ্দেশ কৰিছে। এই লাগতিয়াল বিষয়ে এনে বিধৰ প্ৰচাৰ কাৰ্য্য হাতত লোৱা

বাবে আমি এই ছছিঅ' ইকনমিক ষ্টাডিজৰ শলাগ লৈছোঁ আৰু আশা কৰিছোঁ অসমীয়া জাতিৰ মাজত শ্ৰীহট্ট বিচ্ছেদ লৈ আৰু মতৰ অমিল নাথাকিব—সদৌ অসমীয়া জাতিয়ে এই কুগ্ৰহ আঁতৰাবলৈ যত্নৰ ত্ৰুটী নকৰিব।

কাছাৰৰ অসমীয়া মানুহ

বিশ্বস্তসূত্ৰে জনা যায় যে প্ৰায় ১৪৫ ঘৰ চুটিয়া মানুহ শিলচৰ অঞ্চলত আৰু প্ৰায় ৩০০ ঘৰ চুটিয়া, বৰকোচ আৰু সুতকুলিয়া মানুহ ছিলেট অঞ্চলত আছে। এই মানুহ-বিলাকে বঙালীৰ মাজত থাকিও আৰু অসমীয়া শিকিবলৈ কোনো সুবিধা নাপায়ো এতিয়ালৈকে অসমীয়াতে কোৱা-মেলা কৰে আৰু নিভাজ অসমীয়াত নিয়মমতে নামপ্ৰসঙ্গ পাতে। অসমীয়া ৰাইজৰ সহানুভূতি পালে এই মানুহখিনি এতিয়াও বোধকৰোঁ বঙালীৰ গৰাহৰপৰা ৰক্ষা পৰিব পাৰে।

কাছাৰৰ তাৰাপুৰ গাঁৱৰ অসমীয়া মানুহৰ লৰা-ছোৱালীবিলাকে অসমীয়া স্কুলৰ সুবিধা নাপাই বঙালী স্কুলতে লিখা-পঢ়া কৰিবলগীয়া হৈছে। এই বিষয়ে অসমীয়া ৰাইজৰ দৃষ্টি পৰে যেন। আজি তিনি চাৰি বছৰৰপৰা এই তাৰাপুৰৰ অসমীয়া মানুহ কেঘৰৰ অসুবিধাৰ কথা আলোচনা হব লাগিছে। কিন্তু এতিয়ালৈকে প্ৰতিকাৰ একো নোহোৱাটো অকল দুখৰে কথা নহয়, আমাৰ জাতীয় ক্ষতিৰো বিষয় হব লাগিছে।

নগাৱঁৰ দহঘৰ সত্ৰৰ শ্ৰীযুত অচ্যুতানন্দ গোস্বামীদেৱৰ দৃষ্টি এইপিনে পৰাটো কিছু আশাৰ কথা হৈছে। আমি আশাকৰোঁ শ্ৰীযুত গোস্বামীদেৱে চেষ্টাৰ ত্ৰুটী নকৰিব। শিলচৰৰ বৰ্ত্তমান এক্সাইজ ছুপাৰিন্‌টেনডেণ্ট শ্ৰীযুত মহেন্দ্ৰ প্ৰসাদ দত্ত আৰু শ্ৰীযুত অচ্যুতানন্দ গোস্বামীদেৱৰ উদ্যোগত যোৱা মে মাহত তাৰাপুৰ গাৱঁৰ অধিবাসীসকলৰ মাজত এটি অসমীয়া ধৰণৰ উৎসৱ পতা হৈছিল। প্ৰতি বছৰে এনে বিধৰ অনুষ্ঠানৰ মাজেদি এই মানুহবিলাকক অসমীয়াৰ জাতীয় জীৱনৰ কিছু আভাস দিব পৰাও যথা লাভৰ কথা। আমি আশাকৰোঁ উদ্যোক্তাসকলৰ চেষ্টাত এই উৎসৱ বছৰেকীয়া অনুষ্ঠানত পৰিণত হব।

যোৱা আহাৰ সংখ্যা "আৱাহন"ত এই উৎসৱ উপলক্ষে "কাছাৰৰ তাৰাপুৰ গাৱৰ অধিবাসীসকল" বুলি যি ছবি প্ৰকাশ হৈছে তাৰ বাওঁফালে শ্ৰীযুত মহেন্দ্ৰপ্ৰসাদ দত্ত আৰু সোঁফালে শ্ৰীযুত অচ্যুতানন্দ গোস্বামীদেৱ থকাৰ কথা বাদ পৰাত আমি দুঃখিত।

নতুন অসমীয়া বাতৰি কাকত

আজি অলপ দিনৰ ভিতৰতে আমাৰ ভাষাত কেবাখনো বাতৰি কাকত যেনে **দৈনিক বাতৰি, ডেকা অসম অসম** আৰু **নগৰৰ কথা** নতুনকৈ প্ৰকাশ হোৱাটো জাতীয় উন্নতিৰ বিশেষ পৰিচায়ক হৈছে। জাতিৰ সৰ্ব্বপ্ৰকাৰ উন্নতিৰ মূলতে যে সংবাদপত্ৰ আৰু আলোচনীবিলাক এই কথা নতুনকৈ কবৰ প্ৰয়োজন নাই। সেই কাৰণে দেশত যিমানেই বাতৰি কাকতৰ সংখ্যা আৰু প্ৰসাৰ বৃদ্ধি হয় যিমানেই জাতিৰ মঙ্গল। বিশেষতঃ যিখন দেশত বা যি ভাষাত শিক্ষিতৰ সংখ্যা মুঠেই শতকৰা ৮ জন সেই দেশত বা সেই ভাষাত বাতৰি কাকতৰ আৱশ্যকতা আটাইতকৈ বেছি।

সংবাদ পত্ৰবিলাক শিক্ষাৰ প্ৰধান বাহন। নব্য তুৰস্ক, ৰুছিয়া আৰু জাপান আদি দেশবিলাকে সংবাদপত্ৰৰ যোগেদি নিজ নিজ দেশৰ নিৰক্ষৰতা দ্ৰুত গতিৰে মোচন কৰিবলৈ সক্ষম হৈছে। আমাৰ অসমৰ কাকতবিলাকেও আমাৰ মাজৰপৰা নিৰক্ষৰৰ সংখ্যা হ্ৰাস কৰিবলৈ সক্ষমতা লাভ কৰিব বুলি আশা কৰা যায়। ইয়াৰ উপৰিও বাতৰি কাকতবিলাকে পঢ়ুৱৈ সমাজৰ পৰিধি বিস্তৃত কৰাত বিশেষ সহায় কৰে। কাকতৰ সংখ্যা আৰু প্ৰচাৰ বৃদ্ধি হোৱাৰ লগে লগে কাকত পঢ়োতাৰ সংখ্যাও ক্ৰমাগত বৃদ্ধি হব। ইয়াৰ ফলত জাতিৰ সৰহ ভাগ মানুহে দেশৰ সমস্যাবিলাকত ভাগ লবলৈ শিক্ষা লাভ কৰিব পাৰিব আৰু এই সমস্যাবিলাকত তেওঁলোকৰ এটা ৰাপ বহিব। তেতিয়া হলে আমাৰ দেশৰ মানুহবিলাক জাতীয় ভাবাপন্ন হোৱাত সহায় হব আৰু তেওঁলোক জাতীয় ভাবাপন্ন হলে জাতিৰ উন্নতি অনিবাৰ্য্য।

বাতৰি কাকত ৰাষ্ট্ৰৰ চতুৰ্থ শাসক বুলি কোৱা হয় (Fourth Estate of the Realm)। দেশ শাসন কৰাত এই কাকতবিলাকে বিশেষ সহায় কৰে। আমাৰ দেশত বাতৰি কাকতৰ স্বাধীনতা ভাৰত ছৰকাৰে বহু পৰিমাণে হ্ৰাস কৰিলেও স্বাধীন দেশবিলাকত এই কাকত-বিলাকৰ ক্ষমতা বৰ বেছি। আমাৰ দেশতো সকলো কাকত এক হৈ দেশৰ সমস্যাবোৰ দাঙি ধৰিলে সেই সমস্যা সমাধানৰ কাৰণে ছৰকাৰক বহুত কথাত বাধ্য কৰিব পাৰি। বাতৰি কাকতবিলাকৰ একোটা সুকীয়া সুকীয়া নীতি থকাটো স্বাভাৱিক। কিন্তু শ্ৰীহট্ট বিচ্ছেদ, অসম বিশ্ববিদ্যালয় আৰু হাইক'ট স্থাপন, পেট্ৰল ডিউটি অসম গৱৰ্ণমেণ্টে পোৱাৰ ন্যায্যতা আদি সমস্যাবিলাকত সকলো অসমীয়া কাকত এক মত হব বুলি আমাৰ দৃঢ় বিশ্বাস। তে এই সমস্যাবিলাক সমাধান কৰাত আমাৰ সকলো বাতৰি কাকতে চেষ্টা কৰে তাৰ বাবে আমাৰ বিশেষ অনুৰোধ।

বাতৰিয়ে অসমৰ সৰ্ব্বপ্ৰকাৰ মঙ্গল সাধিবলৈ, **ডেকা অসমে** সংৰক্ষিণী নীতি পোষণ কৰিবলৈ, **অসমে** আহোম তথা অসমীয়াৰ আৰু **নগৰৰ কথাই** গোটেই অসমীয়া জাতিৰ উন্নতি সাধিবলৈ নীতি অৱলম্বন কৰি কাৰ্য্য-ক্ষেত্ৰত অৱতীৰ্ণ হৈছে। তেওঁলোকৰ উদ্দেশ্য সিদ্ধি হওক। আমি এই নতুন বাতৰি কাকত কেইখনলৈ আমাৰ ওলগ জনাইছোঁ।

বিদেশী কাকত বৰ্জ্জন

আমাৰ ভাষাত বাতৰি কাকতৰ সংখ্যা বঢ়াৰ লগে লগে বিদেশী কাকতৰ মূল্য আৰু আৱশ্যকতা হ্ৰাস পাব বুলি আশা কৰা যায়। বিশেষকৈ **দৈনিক বাতৰিয়ে** বিদেশী কাকতৰ লগত সমানে ফেৰ মাৰি নিউজ এজেন্সি বিলাকৰপৰা তাঁৰৰ যোগেদি ডাঁৰৰ আৱশ্যকীয় বাতৰি ডাঁৰে যোগাবলৈ সমৰ্থ হোৱাত আন বিদেশী কাকত লোৱাৰ কোনো যুক্তিযুক্ততা দেখা নাযায়। বিশেষকৈ যিবিলাক বিদেশী কাকত আমাৰ জাতীয় উন্নতিৰ পৰিপন্থী সেইবিলাক কাকত বৰ্ত্তমান বৰ্জ্জন কৰা সৰ্ব্বতোভাৱে বাঞ্ছনীয়। এই বিষয়ে অসমীয়া সমাজে যথাবিহিত কাম হাতত লব বুলি আশা কৰিলোঁ।

ইটালি এবিছিনিয়াৰ সমস্যা

ইটালি এবিছিনিয়াৰ সমস্যাই বৰ্ত্তমান আন্তৰ্জ্জাতিক ৰাষ্ট্ৰনীতিত গুৰুতৰ আকাৰ ধাৰণ কৰিছে। ইটালিৰ সাম্ৰাজ্য লীপ্সাই য়ুৰোপৰ কেইবাখনো ৰাষ্ট্ৰৰ স্বাৰ্থত আঘাত কৰাত তেওঁলোকে ইটালিক বাধা জন্মাবলৈ উপায় উদ্ভাৱনৰ চেষ্টা কৰিছে। এই ৰাষ্ট্ৰ কেইখনৰ ভিতৰত ইংলণ্ড আৰু ফ্ৰান্সেই প্ৰধান। পূব আফ্ৰিকাত ইটালিৰ প্ৰাধান্য বাঢ়িলে ইংলণ্ডৰ বিশেষ হানি হোৱাৰ আশঙ্কা কৰিয়েই ইংলণ্ডই ফ্ৰান্সৰ লগত মিতিৰালি পাতি ইটালিক প্ৰতিবন্ধক জন্মাবলৈ নানা ৰকমৰ ফন্দি পাতিছে। মানৱতাৰ ফালৰপৰা এই চেষ্টা নোহোৱাত ইংলণ্ডই আনৰ পৰা প্ৰশংসা লাভ কৰিব নোৱাৰিলেও ইংলণ্ড আৰু ফ্ৰান্সৰ নিচিনা শক্তিশালী ৰাষ্ট্ৰই ইটালিক বাধা দিয়াৰ একান্ত প্ৰয়োজন হৈ উঠিছে।

এবিছিনিয়াৰ সমস্যা সম্পৰ্কে ভাৰতবৰ্ষৰ নিচিনা পৰাধীন আৰু অন্যান্য সৰুসুৰা স্বাধীন ৰাষ্ট্ৰবিলাকৰ কথা ইংলণ্ডতকৈ সুকীয়া। মানৱতাৰ আৰু হৃদয়তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ আজি ভাৰতবৰ্ষই ইটালিৰ কাৰ্য্যত বাধা জন্মাবলৈ উদ্যত হৈছে। এবিছিনিয়ৰ দৰে এখন পুৰণিকলীয়া ৰাজ্যৰ স্বাধীনতা হৰণ হলে ভাৰতবৰ্ষই সহ্য কৰিব নোৱাৰে। পৰাধীন ভাৰতে স্বাধীনতাৰ মোল বঢ়িয়াকৈ বুজে।

যাহওক পৃথিবীৰ মিলিত শক্তিয়ে দাম্ভিক ইটালিৰ কাৰ্য্যত প্ৰতিবন্ধক জন্মাই এবিছিনিয়াৰ স্বাধীনতা ৰক্ষা কৰিব বুলি আশা কৰা যায়। কিন্তু তথাপিও যদি ইটালিয়ে জগতৰ শান্তি প্ৰতিষ্ঠালৈ ভ্ৰূক্ষেপ নকৰি আৰু জতিসঙ্ঘ আৰু অন্যান্য শক্তি বৰ্গক উপেক্ষি এবিছিনিয়াক আক্ৰমণ কৰে তেন্তে তাৰ পিছত এই শক্তিবৰ্গই

ইটালিৰ বিৰুদ্ধে কি পন্থা অৱলম্বন কৰে এই বিষয়ে জানিবলৈ সকলো উৎকণ্ঠিত হৈ থাকিব।

শ্বিলং ৰাজধানী হোৱাৰপৰা অসমৰ ক্ষতি

'অসম ছছিঅ' ইকনমিক ষ্টাডিজে' প্ৰচাৰৰ অৰ্থে প্ৰকাশ কৰা শ্ৰীযুত জ্ঞাননাথ বৰা ডাঙৰীয়াৰ "শ্ৰীহট্ট বিচ্ছেদ"ত অসমৰ ৰাজধানী শ্বিলঙত হোৱাৰপৰা অসমীয়া মানুহৰ যি ক্ষতি হৈছে তাকো দেখুৱা হৈছে। ৰাজধানী ৰাইজৰ মাজত আৰু ৰাইজে ঢুকি পোৱা ঠাইত হব লাগে। শ্বিলং চহৰত ৰাজধানী হোৱাত অসমীয়াই বহু সুবিধাৰপৰা বঞ্চিত হৈছে। ৰাজধানী ভৈয়ামত হলে অসমীয়া জাতিয়ে আগবাঢ়িবলৈ আৰু বহুখিনি সুবিধা পালেহেতেন, সন্দেহ নাই। সেয়ে হৈ নুঠাত আমাৰ অসুবিধাৰ অন্ত নাইকিয়া হৈছে।

এতিয়া এই বিষয়ে চেষ্টা হব লাগে। এই সম্বন্ধে বহুদিনৰ আগতে কাউন্সিলত প্ৰশ্ন উঠা উচিত আছিল; কিন্তু কোনো উচ্চবাচ্য নোহোৱাকৈ এনেদৰে নিতাল মাৰি থকাটো বৰ দুখৰ কথা হৈছে। আজি অসমীয়া জাতিৰ অগ্ৰগতিৰ পৰিসৰ বৃদ্ধিৰ বাবে আমাৰ এখন চহৰ অন্ততঃ ডাঙৰ কৰি তুলিবলগীয়া হৈছে। আৰু সেইখন চহৰ যে গুৱাহাটীয়েই হব লাগিব সকলো ফালৰপৰা বিবেচনা কৰি চালে তাত মতদ্বৈধ থাকিব নোৱাৰে। ৰাজধানী গুৱাহাটীলৈ আহিলেও ই বম্বে কলিকতা আদি ঠাইৰ দৰে তিমান ডাঙৰ নগৰ হৈ নুঠিব পাৰে আৰু সেইবিলাক ঠাইৰ দৰে সুচল পোৱা নাযাব পাৰে; কিন্তু আমাৰ বৰ্ত্তমান অৱস্থাৰ উন্নতি বহুগুণে যে হব পাৰিব তাত কোনো সন্দেহ নাই। এইবিলাক ভবিষ্যতৰ কথা হলেও বৰ্ত্তমানত বিশেষ চেষ্টা আৰু আন্দোলন চলাব লগা হৈছে, যাতে সপৰিষদ গৱৰ্ণৰৰ কাৰ্য্য গুৱাহাটীত অন্ততঃ ছমাহ চলে।

বৰ্ত্তমান প্ৰস্তাৱিত অসম বিশ্ববিদ্যালয় গুৱাহাটীতে স্থাপিত হোৱাৰ আশঙ্কাত শ্ৰীহট্টবাসীয়ে অসম বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে থিয় দিয়াৰ এটা কাৰণ যেন লাগে। সিবিলাকে গুৱাহাটীৰ পৰিৱৰ্ত্তে অন্ততঃ শিলঙত বিশ্ববিদ্যালয় স্থাপিত কৰিবলৈ যে তলে তলে পাঙিছে তেনে অনুমান অমূলক যেন নালাগে। আমাৰ এই অনুমান আশঙ্কাত পৰিণত হৈছে—বৰ্ত্তমানে শ্বিলঙক শিক্ষাকেন্দ্ৰ ৰূপে গঢ়ি তুলিবলৈ যি চেষ্টা চলিছে তালৈ লক্ষ্য কৰি। আমি আশাকৰোঁ অসমৰ ভবিষ্যতকৈ চাই গুৱাহাটীকে সকলো ফালৰপৰা প্ৰধান কেন্দ্ৰ কৰি গঢ়ি তুলিবলৈ অসমীয়া মানুহে লক্ষ নেৰিব।

বাণীকান্ত কাকতীদেৱৰ পি-এইচ-ডি লাভ

প্ৰফেছৰ কাকতীদেৱে আজি সাত বছৰ পৰিশ্ৰম আৰু গৱেষণাৰ ফলত "অসমীয়া ভাষা,—ইয়াৰ গঠন আৰু ক্ৰমোন্নতি" নামৰ গৱেষণা মূলক ৰচনা (Thesis) এখন



ডক্তৰ বাণীকান্ত কাকতী এম-এ, পি-এইচ-ডি

ইংৰাজী ভাষাত লিখি কলিকতা বিশ্ববিদ্যালয়ৰ ভাষা-তত্ত্বৰ প্ৰফেছৰ ডক্তৰ সুনীতিকুমাৰ চাটাৰ্জ্জী, পাঞ্জাৱ বিশ্ব-বিদ্যালয়ৰ ভাইছ চেন্সেলৰ সংস্কৃত আৰু পালি ভাষাবিদ ডক্তৰ লেনাৰ আৰু পেৰি বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষাবিদ

ডক্টৰ ৱৰ। ৱৰ সুখৰ কথা যে কাকতীদেৱৰ ৰচনাৰ বাবে তেখেতক পি-এইচ-ডি উপাধি দান কৰা হৈছে। তেখেতৰ কৃতকাৰ্য্যতা গোটেই অসমীয়া জাতিলৈ আনন্দৰ কাৰণ হৈছে।

ডক্টৰ কাকতীদেৱৰ উপাধিৰ পৰীক্ষাৰ বাবে লোৱা বিষয় নিৰ্ব্বাচনত অসমীয়া ভাষাৰ প্ৰতি তেখেতৰ আগ্ৰহৰ প্ৰকৃষ্ট প্ৰমাণ পোৱা যৈছে। আজিও অসমীয়া ভাষাৰ প্ৰতি অসমীয়া কিছুমানৰে আগ্ৰহ আৰু আস্থাৰ যি অভাৱ পৰিলক্ষিত হয় কাকতীদেৱৰ এই গৱেষণামূলক ৰচনাই সেই সকলৰ কথাই নাই—গোটেই জগতৰ আগত অসমীয়া ভাষাৰ বিশেষ বৈশিষ্ট্যলৈ আঙুলিয়াই দি তাক এটি অধ্যয়নৰ বস্তুৰূপে সম্মান আসনত বহুৱাব পাৰিছে। কাকতীদেৱৰ কৃতকাৰ্য্যতাত গোটেই অসমীয়া শিক্ষিত সমাজে আত্মপ্ৰসাদ লাভ কৰাৰ সিও এটা প্ৰধান কাৰণ।

কাকতীদেৱে পি-এইচ-ডি উপাধিৰ বাবে কলিকতা বিশ্ববিদ্যালয়ত তেখেতৰ ৰচনা দাখিল কৰাৰ বহু আগেয়ে তেখেতে অসমীয়া ভাষা সম্পৰ্কে গৱেষণামূলক প্ৰবন্ধ এটি লিখাত Linguistic Survey of India লিখক ডক্টৰ গ্ৰিয়াৰ্ছনে তেখেতৰ গৱেষণাৰ শলাগ লৈ চিঠি লিখিছিল। আকৌ কাকতীদেৱৰ মতৰ সমৰ্থন কৰি ডক্টৰ সুনীতি চাটাৰ্জ্জীয়েও জাৰ্ম্মান ভাষাত প্ৰবন্ধ লিখা কথা বহুতে জানেই। মুঠৰ ওপৰত নীৰৱ কৰ্ম্মী কাকতীদেৱে ভাষা সম্বন্ধে কৰা গৱেষণাৰ মূল্য অমীন আৰু তাৰ ফলত অসমীয়া ভাষাৰ সম্মান বহুখিনি বৃদ্ধি পাইছে।

আমি তেখেতৰ সম্বৰ্দ্ধনা জনোৱাৰ লগে লগে আমাৰ ভাষা আৰু সাহিত্য সম্বন্ধে তেখেতৰপৰা আৰু বহুখিনি পাবলৈ আশা কৰিলো।

৫২৮২/অ:

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

আমাৰ নিবেদন

অহা ১১শ (ভাদ) সংখ্যা "আৱাহন" পূজাৰ আগতে আৰু ১২শ (আহিন) সংখ্যা পূজাৰ বন্ধৰ ভিতৰতে ওলাব বুলি আশা কৰা হৈছে। পূজাৰ বন্ধৰ বাবে কোনো গ্ৰাহকলৈ সলনি ঠিকনাত কাকত পঠাবলৈ হলে কোন তাৰিখৰপৰা কোন তাৰিখলৈকে নতুন ঠিকনাত পঠাব লাগিব অনুগ্ৰহ কৰি জনায় যেন। নজনোৱা সকললৈ যৈ থকা ঠিকনাতে কাকত যাব।

আকৌ এই বছৰৰ বৰঙনি যি সকলৰ অহা ১২শ (আহিন) সংখ্যাত উকলিব সেই সংখ্যা পোৱাৰ পিছতে অনুগ্ৰহ কৰি অহা ৭ম বছৰৰ বৰঙনি ৫৷৷০ টকা মনি অৰ্ডাৰ কৰি পঠাই কাকতৰ অনুষ্ঠানক সহায় কৰে যেন।

১৪, জগন্নাথ দত্ত লেন কলিকতা, লক্ষ্মীবিলাস প্ৰেছ লিঃত, ডাঃ দীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

৫২৮৩/অা:
১১.৬.৭৯



মাতৃমূৰ্ত্তি

ASAM SAHITYA SABHA

৫২৮৩/অ:

আবাহন



৬ষ্ঠ বছৰ, ১১শ সংখ্যা] ভাদ [১৮৫৭ শক

জন্মাষ্টমী

—শ্ৰীযুত ৰাধিকানন্দ চৌধুৰী

জন্মাষ্টমী বুলিলে আমি জগদগুৰু বা অতিমানৱ শ্ৰীকৃষ্ণৰ জন্মদিনকে বুজো। অৰ্থাৎ এনে এটা দিন, এনে এটা তিথি—যি তিথিত, যি দিনত এনেকুৱা এজন মহাপুৰুষ নিৰ্ম্মল পুৱাৰ তৰুণ তপনৰ দৰে জগতত তেওঁৰ পোহৰ পেলাই আৱিৰ্ভূত হৈছিল, যি জনে তাহানি-খনৰপৰা আজিলৈকে এনে প্ৰেমৰ প্ৰভাৱ বিস্তাৰ কৰি থৈ গৈছে যে জগতৰ মানুহে দ-কৈ ভাবি চাই তেওঁৰ সেই অতুলনীয় কেন্দ্ৰৰপৰা বৈ অহা আকৰ্ষণী শক্তি আজিও অনুভৱ নকৰাকৈ থাকিব নোৱাৰে।

আমি জন্মাষ্টমী পালন কৰোঁ কিয়? জ্ঞাতসাৰে কিম্বা অজ্ঞাতসাৰে আমি বিশ্বাস কৰোঁ যে যি পৱিত্ৰ প্ৰেমময় শক্তিকেন্দ্ৰই এদিন জগতত বিশেষভাৱে প্ৰেম আৰু শক্তিৰ সোঁত বোৱাইছিল, সেই কেন্দ্ৰ আজিও নেদেখাভাৱে অতি গুপুত ৰহস্যৰ মাজেদি আমাৰ জীৱনৰ লগত মিহিলি হৈ আছে। আমাৰ এই বিশ্বাস অস্পষ্ট হব পাৰে; কিন্তু আমি যে জন্মাষ্টমী তিথি উপলক্ষে নানা ঠাইৰ বেলেগ বেলেগ ভাবৰ সকলো সমবেত হওঁ এই প্ৰহেলিকাৰপৰা আমি এই মুহূৰ্ত্তত হাত সাৰিব পৰা নাই। এই মিলিত হোৱা প্ৰহেলিকাই প্ৰমাণ কৰে যে, আমাৰ জীৱনৰ শতমুখী ধাৰাই যদিও আমাক ভিন ভিন ভাৱে বিকশিত কৰি তুলিছে, তথাপি হিমাচলৰ অগম্য গিৰি, গুহা, কন্দৰৰপৰা অতি গুপুতভাৱে বৈ অহা নিজৰাৰ দৰে আমাৰ হৃদয়ৰ অন্তঃস্থলৰপৰা বৈ অহা ৰহস্যময় শক্তিয়ে কিবা এডাল জৰীৰে আমাক একে কৰি বান্ধ খুৱাই নিবলৈ চেষ্টা কৰিছে। কবিয়ে কৈছে—

"These struggling tides of life that seem
In wayward aimless course to tend,
Are addies of the mighty stream
That rolls to its appointed end."
(W. C. Bryant, in "The crowded street")

অকল সেয়ে নহয়। এই সমবেত হোৱা ঘটনাই আৰু আৰু লিয়াই দেখুৱায় যে দেখাত সামান্য ঘটনাই জীৱনৰ গুপ্ত তথ্যৰ সাঁচ অজ্ঞাতসাৰে আমাৰ মনত বহুৱাই দিয়ে, আৰু, লাহে লাহে আমাক বহুময় কেন্দ্ৰৰ ফালে ঠেলি নিয়ে।

ওপৰোক্ত কথাটৈ চালে আমি ভাবিবলৈ বাধ্য হওঁ যে বাস্তবিকে এই জন্মাষ্টমীত শ্ৰীকৃষ্ণৰ জন্মৰ কোনো গূঢ় অৰ্থ আছেনে? আৰু আৰ্য্য সমাজত কি কাৰণে প্ৰতি বছৰে জন্মাষ্টমী তিথি পালন কৰে?

আমি সকলোৱে জানো যে শ্ৰীকৃষ্ণ এটা বিশেষ কঠোৰ অন্তস্থাৰ ভিতৰত উপজিছিল; বাসুদেৱ আৰু দৈৱকী দুয়োকে বন্দীশালত বন্ধা হৈছিল—কংস ৰাজৰ প্ৰহৰীৰ প্ৰখৰ দৃষ্টি তেওঁবিলাকৰ ওপৰত আছিল। এনেকুৱা কঠোৰ অন্তস্থাত এক দিব্য মুহূৰ্ত্তত শ্ৰীকৃষ্ণৰ জন্ম হৈছিল।

এতিয়া প্ৰেম আৰু শক্তিৰ আধাৰ স্বৰূপ অতিমানব শ্ৰীকৃষ্ণৰ এই অদ্ভুত জন্মৰ সৈতে বিজাৰ পৰা মানুহৰ চৈতন্য বিকাশৰ কোনো স্তৰ আছেনে চোৱা ব'ক।

আধুনিক মনস্তত্ত্বমতে আৰু সাধনা পথৰ পথিক সকলৰ নিৰ্দ্দেশ অনুসাৰে, মানুহৰ চৈতন্য বিকাশৰ চাৰিটা স্তৰৰ কথা জানিব পৰা যায়।

১ম—দেহচৈতন্য, ২য়—মনঃ চৈতন্য, ৩য়—আত্ম চৈতন্য আৰু চতুৰ্থ—বিশ্বচৈতন্য। সম্প্ৰতি আমাৰ চৈতন্য ভূমিলে জানিলেই হব।

মানুহে যেতিয়া নিজক দেহ বুলি ভাবে, মানুহে সি চৈতন্য ভূমি আশ্ৰয় কৰি থাকিলে দেহৰ বাহিৰে আন একো বুলি নিজক ভাবিব নোৱাৰে, সেই চৈতন্যভূমি আশ্ৰয় কৰি মানুহে দেহটো ভালে ধপাকেই নিজে ভালে থকা বুলি ভাবে, আৰু দেহৰ অসুবিধা ভোগ কৰিলেই নিজৰ নিজৰ হেকৰাবৰ উপক্ৰম কৰে বা হেকৰায়; যি চৈতন্যভূমিত মানুহৰ দেহাত্ম বুদ্ধি হয় আৰু "মই দেহ" ভাবটো বদ্ধমূল হয়, সেয়ে মানুহৰ দেহচৈতন্য।

এই দেহচৈতন্যৰ পাছৰ ওপৰৰ খাপৰ চৈতন্যভূমিৰ নাম মনঃচৈতন্য। এই চৈতন্যভূমিত মানুহে ভাবে "মই মন," মোৰ এটা দেহ আছে। মানুহে যিমানে চিন্তাশীল হয়, যিমানে শিক্ষা লাভ কৰে তিমানে এই মনঃচৈতন্য বিকশিত হয় আৰু মানুহে তিমানে বেছিকৈ নিজক মন বুলি বিবেচনা কৰিবলৈ ধৰে। সাধাৰণতঃ চিন্তাশীল মানুহবোৰে এই মনঃচৈতন্যক আশ্ৰয় কৰি থাকে। এই অন্তৰ্স্থাত নানান জটিল সমস্যা আৰু প্ৰশ্ন মানুহৰ মনত উঠে আৰু সেইবোৰৰ মীমাংসা কৰোতে আন প্ৰশ্ন আহি আহি মানুহক বিৰক্ত কৰিবলৈ আৰম্ভ কৰে। মানুহে মনঃচৈতন্যৰ প্ৰশ্নৰ সমাধান কৰি কোনো ৰকমে জিৰণি নাপায়। কেতিয়াবা কেতিয়াবা নানা সন্দেহ আৰু নিৰাশাত মুহ্যমান হৈ চাৰিওফালে ধুৰলি কুঁৰলী দেখে।

ইয়াৰ ওপৰৰ খাপৰ চৈতন্যভূমিৰ নাম আত্মচৈতন্য। এই চৈতন্য স্তৰত মানুহে নিজক অতিৰিক্ত মনৰ অতিৰিক্ত কিবা এটা নতুন চৈতন্য-কেন্দ্ৰ বুলি ভাবিব ধৰে। মই "মই", মই আত্মা এই জ্ঞান এই চৈতন্যভূমিত মানৱ হৃদয়ত প্ৰকটিত হয়। এই চৈতন্যভূমি ওপৰোক্ত চৈতন্য ভূমি দুখোটাৰপৰা ইমান পৃথক আৰু এই অভিজ্ঞতাৰ লগত পূৰ্ব্বৰ চৈতন্যৰ অভিজ্ঞতাৰ ইমান তাৰতম্য যে আছলতে মানুহে এই চৈতন্যভূমিত উপস্থিত হলে নতুন ৰাজ্যত উপস্থিত হৈ নতুন জীৱন পোৱা যেন পায়। তেতিয়া মানুহক মনঃচৈতন্যৰ অমীমাংসিত প্ৰশ্নই আৰু বিব্ৰত আৰু বিৰক্ত কৰিব নোৱাৰে। জীৱনৰ জটিল সমস্যাই তেওঁক আৰু বিভ্ৰান্তিকা দেখুৱাবলৈ সমর্থ নহয়। তেওঁ দেখে তেওঁ আছলতে এটা "মই" আৰু সংসাৰৰ বিপদ আপদে এই "মই"ৰ একো অনিষ্ট কৰিব নোৱাৰে।

এই আত্মচৈতন্যভূমিত মানুহৰ "মই" উপলব্ধিকেই শ্ৰীকৃষ্ণৰ জন্মৰ লগত বিজাৰ পাৰি; কিয়নো, মানৱ চৈতন্যৰ মই "মই"—মই আত্মা এই উপলব্ধিয়ে বাস্তবিকে অদ্ভুত পৰিবৰ্ত্তন আনি দিয়ে। এই আত্মচৈতন্যই মানুহত শ্ৰীকৃষ্ণৰ জন্ম আৰু এই কাৰণেই এইটো সৌৰাষী ৰাখিবলৈ

আৰ্য্য সমাজত জন্মাষ্টমী পালনৰ প্ৰথা। যাতে মানুহে মনত ৰাখিব পাৰে যে মধুৰাত যেনেকৈ শ্ৰীকৃষ্ণৰ প্ৰেম আৰু শক্তিৰ আধাৰ জন্মগ্ৰহণ কৰিছিল, তেনেকৈ মানুহৰ হৃদয়-মধুৰাতো শ্ৰীকৃষ্ণ উপজিব লাগিব।

কংস ৰজাৰ বন্দীশালত শ্ৰীকৃষ্ণৰ জন্ম হৈছিল,—মানুহৰ মনঃচৈতন্যৰ বন্দীশালত, য'ত সংশয়, সমস্যা, জটিলতা, ইন্দ্ৰিয়ত আসক্তিৰ জানাদিয়ে মানুহক বন্দী যেন কৰি ৰাখে—সেই বন্ধন জ্বালত মেৰ খোৱা মনঃচৈতন্যৰ নানা বেমেজালিৰ মাজত আত্মচৈতন্য ৰূপ শ্ৰীকৃষ্ণ জন্মিব লাগিব। তেতিয়াহে মানুহে ধৰ্ম্মপথ বা আত্মবিকাশৰ বাটত আগুৱাব পাৰিব। যীশুৱে কৈছিল, "Verily Verily I say unto thee, except a man be born again, he can not see the kingdom of God,"

আমি প্ৰত্যেকেই অনুভৱ কৰো যে আমাৰ একোটা "অহং" ভাব আছে। সাধাৰণ মানুহে তাৰ নিজৰ দেহকে মই বুলি অনুভৱ কৰে। সভ্য আৰু সুশিক্ষিত মানুহে তেওঁৰ মনকে মই বুলি ভাবে, কিন্তু কেৱল উন্নত মানুহেই মাথ ভিতৰত শ্ৰীকৃষ্ণ উপজিছে—তেনেকুৱা মানুহেই তেওঁৰ মইক "মই" ৰূপে উপলব্ধি কৰিব পাৰে। এই "মই" এটি চৈতন্যকেন্দ্ৰ, এই "মই" যে মানুহৰ আত্মা।

যিদিনলৈ আত্মচৈতন্য বিশেষভাৱে পৰিস্ফুট হৈছে তেওঁলোকে কটকটীয়াকৈ তেওঁলোকৰ "মই" অনুভৱ কৰিব পাৰে। তেওঁলোকে অনুভৱ কৰে যে তেওঁলোকৰ মই অজৰ আৰু অমৰ, সত্য, নিত্য, আৰু অক্ষয়। শৰীৰ বিখা মনৰ নিচিনা এই "মই"ও তেওঁলোকৰ পক্ষে প্ৰত্যক্ষ বস্তু। তেওঁলোকে অনুভৱ কৰে ই দেশ আৰু কালৰ অধীন নহয়। ইয়াৰ বিনাশ নাই আৰু ই এক সুমহান মঙ্গলময় সত্তাত নিহিত আছে। ইয়াৰ অন্তৰত, বাহিৰত আৰু অধিষ্ঠানত সেই মঙ্গলময় সত্তা বিৰাজিত। মানুহে তেতিয়া নিজক চিনি পায় আৰু বোধেৰে সৈতে, আনন্দেৰে, নিৰ্ভয়ে, নিঃসঙ্কোচে কব পাৰে, "মই আছোঁ"—I exist.

যি মুহূৰ্ত্তত শ্ৰীকৃষ্ণই জন্ম গ্ৰহণ কৰিছিল সেইটো এটা দিব্য মুহূৰ্ত্ত আছিল। ওপৰত আকাশ নিৰ্ম্মল; তাৰাবিলাকে পোহৰ দিছিল। গাৰ্ত, নগৰ আৰু পথাৰ সকলোতে এটা পৰিৱৰ্ত্তন হৈছিল, ইত্যাদি; "The moment became ended with all good propensities; The sky became clear, the stars shone in brilliancy, the cities, the villages, the pastures and the mines passed through a great change, the waters of the rivers became purer, the lakes and tanks shone in beauty with lotuses and lilies"

আৰো "In the hour of His coming, many rainbows of wondrous colour and beauty did span the skies."

"A joy unfelt before on all the earth did reign, a joy that even doth thrill through hearts of life, form the child that was God and the God that was child had come on earth to live with man"

আত্মচৈতন্য বিকশিত হলে মানুহে সমগ্ৰ প্ৰাকৃতিক চকুৰে চাবলৈ আৰম্ভ কৰে। গতিকে ইয়াক শ্ৰীকৃষ্ণৰ জন্ম মুহূৰ্ত্তৰ লগত মিলাব পাৰি। যি মুহূৰ্ত্তত মানুহৰ ভিতৰত আত্মচৈতন্য বিকশিত হয়, সি সুকণত মানুহৰ পৰিত্ৰ হৃদয়-মধুৰাত প্ৰেমস্বৰূপ শ্ৰীকৃষ্ণৰ জন্ম হয় সেই মুহূৰ্ত্তত মানুহে এক অভিনব পৰিৱৰ্ত্তন অনুভৱ কৰে। সমগ্ৰ প্ৰকৃতিয়েই যেন তেতিয়া তেওঁৰ পক্ষে হাঁহিময় হৈ উঠে—সেই পৰিত্ৰ প্ৰেমময় মধুময় মুহূৰ্ত্তত সকলো বাধা বিঘিনি অতিক্ৰম কৰি এই নানা জঞ্জালৰ ভিতৰতো মানুহে এটা দিব্য আনন্দৰ আভাস পায়। শ্ৰীকৃষ্ণৰ জন্ম সময়ত যিবোৰ বাহিকতাভাৱে ঘটা বুলি কৈছে, আত্ম-চৈতন্য ভূমিত উঠিলে, মানুহৰ অন্তৰত কৃষ্ণ জন্মিলে—মানুহে অন্তৰৰ ভাৱবপৰা সেইবোৰ দেখে, আভ্যন্তৰিক চৈতন্য বিকাশৰ উদগণিত অনুভৱ কৰে যে—

সমীৰণ মধুময় মধুক্ষৰে সিক্তচয়
মধুময় তৃণ লতা ঔষদি সকল,

মধুময় মধুনিশা মধুর হাঁহিছে উষা
মধুময় বজোযুক্ত ধরণী শ্যামল !
মধুময় নভস্থল মধুময় দ্রুম দল
দেবলোকে পিতৃলোকে মধুশ্রোত বয়,
মধুমান দীপ্তরবি মধুরসে সিক্ত গবি
মাধুর্য্য আপ্লুত সবি সব মধুময়।

এই অনুভূতি নানা ভাব, অবস্থা বা উপাচেরে মানুহর ভিতরত আহিব পারে। আমি যেতিয়া পার্থিব সহায় সম্বলশূন্য হৈ মর্ম্মবেদনাত চাবিওফালে কেবল তমোময় দেখোঁ, যেতিয়া আমার এনেকুরা মনত হয় যে মই অকল-শৰীয়া, অকলে অকলে সেই অদৃশ্য, অপ্রর্শ কিবাব ওপবত নির্ভব কবিছোঁ সেই অবস্থাতো আমি আমাব প্রকৃত অবস্থা অনুভব কবিব পাবোঁ। অথবা কোনো বব ভাব—প্রবীণ কবিব কবিতা পঢ়ি আমি যেতিয়া ভাষাব লালিত্যত আৰু ভাবব মাধুর্য্যত আপোনাপাহবা হওঁ, অর্থাৎ দেহ-মই আৰু মন-মইক পাহবি যাওঁ তেতিয়াও আত্মচৈতন্য রূপ শ্রীকৃষ্ণ আমাব অন্তবত আবিভূতি হব পাবে। এনেকুরা নানান উপাচেবে মানুহে নিজব আত্মিক উপলব্ধি কবিব পাবে। কবি টেনিছনে (তেওঁব দনিষ্ঠ বন্ধুদকলব পবা জনা গৈছিল) কোনো কোনো সময়ত এটা উপাচেবে তেওঁব অন্তবত এটা বিশেষ পুলকিত অবস্থা ওপজাইছিল। তেওঁ তেওঁব আদ্য নামটো বাবে বাবে উবাই যুবাই জপ কবিছিল আৰু তেখেতনো আছলতে কি সেইটো গভীব ভাবে ভাবিছিল। তেওঁ কৈছিল যে তেনেকুরাকৈ থাকোঁতে তেওঁ তেওঁব অমবত্ব সম্বন্ধে নিঃসন্দেহে অনুভূতি কবিছিল আৰু তেওঁ যে আছলতে শবীবব অতিবিক্ত শবীববপবা স্বাধীন আত্মা সেইটো স্পষ্টকৈ বুজিছিল, সেইটো কটকটীয়াকৈ চৈতন্যত অনুভব কবিছিল। বিখ্যাত লিখক "কডিয়ার্ড কিপ্লিং"এ Kim নামব উপন্যাসত এইদেবে চেষ্টা কবাব আভাস পোৱা যায়।

যিহক, মানুহে নিজব ভিতবত শ্রীকৃষ্ণ ওপোজা আভাস পালে, মানুহে এবাব তাব প্রকৃত মইব উপলব্ধি কবিলে সি আৰু আগব দবে নিজক নিচিনাকৈ নাথাকে। কিবা এটা নতুন শক্তি আহি তাব ভিতবত পবিবর্তন আবম্ভ কবে। এই দবে তাব আত্মচৈতন্যত সি সিমানে দৃঢ় প্রতিষ্ঠা লাভ কবে তিমানে বাহ্যিক বিষয়বোবে তাক আৰু আগব নিচিনা বিচলিত কবিবলৈ সমর্থ নহয়। আত্ম-চৈতন্যত দৃঢ় প্রতিষ্ঠা লাভ নকবালৈকে "মই, মই এটা আত্মা" এই ভাববপবা মানুহে সদায় কাম কবিব নোৱাবে, ইন্দ্রিয়ত আসক্তি আৰু সাধাবণ সাংসাবিক জ্ঞানব ওপবত সম্পূর্ণ প্রভুত্ব কবিব নোৱাবে ;—ববং ইন্দ্রিয় জ্ঞানাদিব আধিপত্যব প্রকোপত পবি "মই আত্মা" এই দুর্লভ স্থান হেকৰাবব আশঙ্কাহে হয়। গতিকে মানুহব ভিতবত শ্রীকৃষ্ণব জন্ম হলে মানুহে সেই প্রেম কেন্দ্রটিক সাদবে যত্ন কবি ডাঙব দীঘল কবিবলৈ যত্ন কবিব লাগে।

সেই কাবণেই দেখা যায়, মথুবাত শ্রীকৃষ্ণব জন্ম হোবাত ইন্দ্রিয়শক্তিগণ কংসবাজব আধিপত্যব প্রকোপত নপবাকৈ বাখিবলৈ শিশুকৃষ্ণক আতবাই বখা হল। সেই গুণেই আত্মচৈতন্য বাজাত সোমোৱা মানুহক সকলো দেশতে শিশুব লগত তুলনা কবা হৈছে। "He in whom the Christ is born, is ever spoken of all the world over, as the little child." গতিকে এই শিশুক সাৱধানে বাখিব লাগে।

আগেয়ে কৈ অহা কথাবপবা এইটো ভালকৈ প্রত্যয় হয় যে এই আত্মচৈতন্যব অভিব্যক্তি কোনো দেশ বা জাতিত সীমাবদ্ধ নহয়। সমগ্র মানব জাতিতেই ইয়াব ক্ষেত্র; কাবণ প্রত্যেক মানুহেই একোটি আত্মা। প্রত্যেক মানব সন্তানবে তাত অধিকাব আছে ; হিন্দু, মুছলমান, বৌদ্ধ, খৃষ্টিয়ান, ইংবাজ, জার্ম্মেন, কড, ফবাছী নাইবা স্ত্রী পুৰুষ বুলি কোনো কথা নাই। মানব চৈতন্যব ক্রমবিকাশ পৰ্ব্বতব শিখবত ই বিবাজিত আৰু এই কষ্টকব পৰ্ব্বতত উঠি মানুহে এসময়ত ইয়াব উত্তবাধিকাবী হব।

মানুহে যেতিয়া বুজি পায় যে সি এটি আত্মা, সি অজব, অমব, তেতিয়া তাব মুখত এটা অপূর্ব্ব ভাব ফুটি উঠে। সি এই আত্মচৈতন্য উপলব্ধি কবি কৃতকৃত্য হয়।

Edward Carpenter ব ভাষাত কবলৈ গলে সি

যেন কব পাবে—"I arise out of the dewy night and shake my wings. Tears and lamentations are no more. Life and death lie stretched before me. I breathe the sweet blowing of the breath of God.

"Deep as the universe is my life—and I know It; nothing can dislodge the knowledge of it; nothing can destroy, nothing can harm me.

"Joy, joy arises—I arise. The sun darts overpowering, piercing rays of joy through me, the night radiates it from me."

যিবিলাকে এনেকৈ আনন্দ পায়, যিবিলাকে "মই আত্মা"—"ভগবানব চিদাংশ" এই ভাব উপলব্ধি কবিব পাবে তেওঁলোকব মনত ঐশ্বর্য্য, ক্ষমতা, ধন, মান, যশস্যা প্রভৃতি অকিঞ্চিত যেন লাগে, কিন্তু তেওঁবিলাকে এইবোব নিঘিনায়। তেওঁবিলাকে জানে যে মানব ক্রমবিকাশত এই সমুদায়ব নিৰ্দ্দিষ্ট ঠাই আছে। এইসকলব ভিতবতো মানুহব ক্রমোন্নয়নব নিমিত্তে সুমহৎ উদ্দেশ্য নিহিত আছে। মানুহে আত্মভাব উপলব্ধি কবিলে এই সমুদায়ব আছল মূল্য নিৰূপণ কবিবলৈ সক্ষম হয়। যিবিলাকে প্রকৃত এই 'মই'ত্বব সোৱাদ পাইছে তেওঁবিলাকে ধনব নিমিত্তে জীৱন ধাবণ নকবে ; মান, যশস্যা, ক্ষমতা প্রভৃতিকো তেওঁলোকে জীৱনব সাৰ বুলি ভাবিব নোৱাবে। ঐশ্বর্য্য, ক্ষমতা, ধন, মান, প্রভৃতি তেওঁলোকব ওচবলৈ আহিব পাবে কিম্বা জীৱন ধাবণব কাবণে দুশ্চতঃ তেওঁলোকে সিবিলাকব নিমিত্তে পবিশ্রম কবিব পাবে, কিন্তু প্রকৃত পক্ষে এইসকলব প্রতি তেওঁলোকব কোনো আন্তবিক টান নাথাকে। তেওঁবিলাকে এই সমুদায় ভগবানব খেলা বুলি ভাবে। তেওঁবিলাকে এইবোব বাটব বস্তু বুলি ভাবে। এইবিলাক খেলা খেলোৱাটো তেওঁলোকে তেওঁলোকব নিয়তব কৰ্ত্তব্য বুলি ভাবে। ইয়াতকৈ তেওঁবিবাকব এটি উচ্চতব কৰ্ত্তব্য আছে। সেইটো হৈছে মানব সম্বন্ধে ভগবান ইচ্ছাব অভিব্যক্তিব সহায় কবিবব আকাঙ্ক্ষা। মানব সমাজব চবম উৎকর্ষ সাধনব চেষ্টা, অসীম বহুত্বময় সত্তাব স্পর্শানুভূতি লাভ কবি মানব চবিত্রত পূর্ণ পবিত্রতাব অভিব্যক্তি কবা।

মানব চবিত্রত পূর্ণ পবিত্রতাব অভিব্যক্তি কবিবলৈ চেষ্টা কবিবব কাবণে জগতব আগত অতি সহজে বুজিব পবা এখন সৰু কিতাপ ডাঙি ধবা হৈছে। কিতাপ খনব নাম "At the feet of the master" by J. Krishna Murti. এইখন এখন বন্ধু। ডাঠকৈ নিজব জীৱন হাতত লৈ অন্তৰ্দ্বে ইয়াব সকলোখিনি নীতি পালন কবা সুকঠিন। কিন্তু কম বা বেছি পবিমাণে সকলোৱে ইয়াবপবা উপকাব পাব পাবে। কাবণ, সত্য আৰু নীতি জীৱনত ঘটালেহে ক্রমোন্নতিব পথত আগবাঢ়িব পাবি, আৰু এনেকৈ আগুবাই যাওঁতে যাওঁতেহে আত্মচৈতন্য বিকশিত কবি শিশুকৃষ্ণক নিজব ভিতবত দেখা পাব পাবি। আৰু যেতিয়াইলৈক মানুহে নিজব ভিতবত কৃষ্ণচৈতন্য অনুভব কবিব নোৱাবে তেতিয়াইলৈ তাব জীৱনব পিয়াহ নুগুচে আৰু হৃদয়-মথুবাত কৃষ্ণ নজন্মিলে তাহানি খন মথুবাত উপজি বৃন্দাবনত লীলা কবা পবম প্রেমাধাব শ্রীকৃষ্ণয়ো অকলে আমাক বক্ষা কবিবলৈ সুযোগ নাপায় আৰু তেওঁব সুদর্শন চক্রয়ো আমাব ইন্দ্রিয়াসক্তিব গোবত কাটিব নোৱাবে। সোতব শতাব্দীব Angelus Silesius এ কোৱাব দবে

"Though Christ were yearly born in
Bethlehem and never
Had birth in you yourself, then were you
lost for ever.
And if within yourself it is not reared again
The cross at Golgotha can save you not
from pain"

বাস্তবিকে Intellect বা বুদ্ধিবে সত্যানুভূতিবপবা মানুহব মন কেবল বহুল আৰু তুচ্ছ হবলৈ ধবে আৰু তাব দ্বাবা মানুহব ভিতবত কেবল আধ্যাত্মিকতাব বল সঞ্চাব হয়। ধৃতি বা ইচ্ছাশক্তিব দ্বাবা সেই সত্যানুভূতিক যেতিয়া এনেকৈ নিজব ভিতবত বহুবাই দিয়া যায়,

এনেকৈ সেই সত্যক হজম কৰা যায় যে সি জীৱনৰ তেজ আৰু মজ্জাৰ দৰে হৈ পৰে আৰু সেই সত্যই তেতিয়া প্ৰত্যেক কাৰ্য্যবে অনুপ্ৰেৰক বা জীৱ হৈ উঠে। তেতিয়া হে মানুহৰ ভিতৰত সত্য সূৰ্য্যকণ কুফৰ বিকাশ ফুটি উঠিব পাৰে।

মানুহৰ বুদ্ধিৰ অহঙ্কাৰে সাধাৰণতঃ কয় "উচ্চতৰ সত্যানুভূতিৰ কাৰণে মই আৰু কি নতুন শক্তি বিকাশ কৰিম, কি নতুন গুণ অৰ্জ্জন কৰিম, মোৰ সম্পত্তি যি আছে ইয়াৰে সকলো সত্যৰ বিষয়ে মই ধাৰণা কৰিম আৰু সেই সম্বন্ধে মতামত দিম"। কিন্তু এনেকুৱা কথা ভুল। চৈতন্য বিকাশ আৰু গুণ অৰ্জ্জনৰ ওপৰতেহে মানুহৰ নতুন নতুন সত্যানুভূতিৰ শক্তি নির্ভৰ কৰে। এজন ছালবোৱা অজলা মানুহে যদি এজন গণিত শাস্ত্ৰত বিশাৰদ পণ্ডিতক অঙ্কশাস্ত্ৰৰ একো নিশিকাকৈয়ে তাক এটা জটিল গণিতৰ বিষয় প্ৰত্যক্ষ প্ৰমাণ দিবলৈ কয়, সেইটো যেনেকৈ অসাৰ কথা বুলি বোধ হয়, আধ্যাত্মিক ৰাজ্যৰ তথ্যবোৰ মানুহৰ মনৰ সাধাৰণ বুদ্ধি বৃত্তিৰ আগত প্ৰমান কৰি দিবলৈ কোৱাটোও তেনেকুৱা অসাৰ। এইটো ইমান সৰল, উজু আৰু ফটফটীয়া কথা যে এই সম্বন্ধে কবৰ প্ৰায় প্ৰয়োজন নোহোৱা যেন লাগে। তথাপি লাখ লাখ শিক্ষিত মানুহ এই ভ্ৰমত পৰি আছে। বুজাই দিলে হাস্যতঃ এই কথা বহুতে স্বীকাৰ কৰে; কিন্তু কাৰ্য্যতঃ প্ৰায়েই তেওঁলোকে ইয়াৰ বিপৰীত আচৰণ কৰে। কথা আৰু আইন একোৱেই নহয়, দুখৰ বিষয় যে এনেকৈ ভুল কৰাটো তেওঁলোকৰ অভ্যাস হৈ পৰিছে। কিন্তু আছলতে সত্য বিচাৰিলে, আধ্যাত্মিক জীৱনৰ আভাস পাব লাগিলে, আত্মচৈতন্য বিকশিত কৰিবৰ হলে এই অভ্যাস একেবাৰে এৰিব লাগিব। উচ্চতৰ সত্যক সাধাৰণ গড়পৰতা বুদ্ধিলৈ নমাই দিবলৈ দাবী কৰি—অৰ্থাৎ সকলোৱে যেন বিনা আয়াসে অনুভূতি কৰিব পাৰে—এনেকৈ তললৈ নমাই দিবলৈ দাবী কোনেও উচ্চতৰ তথ্যৰ বিষয়ে জানিবলৈ আশা কৰিব নোৱাৰে। তেওঁ নিজে ওপৰলৈ উঠিব লাগিব। আধ্যাত্মিক জীৱন সম্বন্ধে সাধাৰণ বুদ্ধি-বৃত্তিৰ দ্বাৰা কুট সমালোচনা কৰি আত্মচৈতন্যৰ কথা একো জানিব পৰা নাযাব। বৰং নিজে নিজৰ সমালোচনা কৰি নিজৰ ভিতৰুৱা শক্তি বঢ়াই নিজক তাৰ উপযুক্ত কৰিব লাগিব। তেনেহলেহে প্ৰত্যেকৰ হৃদয় পদ্ম ফুলিব আৰু জন্মাষ্টমীৰ শ্ৰীকৃষ্ণ ওপজি তাতে স্থিতি হব। Lady of the white lotus এ কোৱাৰ দৰে অন্তৰ বাজত আমাকে যেন কোনোবাই দুবৈৰপৰা বিভিয়াই কয়—

"Tell them there is the lotus bloom in every human soul and it will open wide to the light unless they poison its roots; tell them to live in innocence and seek after truth, and I will come and walk in their midst and show them the way into that place of peace where all is beauty and all are content."

কিন্তু আমাৰ আশাৰ কথা এই যে মানৱ জাতিয়ে যিমানে আত্মবিকাশৰ বাটত লাহে লাহে আগুৱাইছে তিমানে মানৱ জাতিৰ শিক্ষকসকলে সত্যৰ উচ্চতৰ বিকাশৰ কথা মানুহৰ আগত দাঙি ধৰিছে আৰু দিবাভূমিৰ পৰা তেওঁলোকৰ বাণী প্ৰচাৰ কৰিছে।

আমি আশাকৰোঁ সকলোৱে আত্মচৈতন্য লাভ কৰিবলৈ জাগ্ৰত হব। আৰু এই জন্মাষ্টমীৰ দিনা আমাৰ সকলোৰে ভিতৰত—প্ৰত্যেকৰে অন্তৰত শ্ৰীকৃষ্ণৰ জন্ম কামনা কৰি উঠিব।



ৰবৰকুৱাৰ ভাৰৰ বুৰুঁণি

O Narayan! the protector and the last resort of mankind!
Tell me O! how am I to love You and be devoted to You?
O God! my mind is always murderous and sin-loving.
The countless lives in the whole universe, Including the ants, insects, birds and beasts Are Your body; and You are sitting in their hearts,
And pervading them all, as the all-pervading sky.
I kill them and fill up my stomach with them,
Without compunction and without kindness.
O God! I am given to slander, argumentation, envy, and enmity against You.
What a sinfuli person I am
Your slave Sankar, in anguish and in doleful voice prays to you,
O God be merciful to him, and see that, Your name Ram does not leave his lips; Because I know that Your name is the panacea of all sins.
I therefore take shelter in Thy name.

(লম্বাইৰ প্ৰৱেশ)

হল।

লম্বাই—কি হল ৰবৰকুৱা, ডাঙৰীয়া?

ৰবৰকুৱা—ৰব গীতটোৰ তৰ্জ্জমা হল।

লম্বাই—তৰ্জ্জমা কৰি কি কৰিব?

ৰবৰকুৱা—শ্ৰীশঙ্কৰদেৱৰ তিথিত গাবলৈ পঠিয়াই দিম।

লম্বাই।—এইটো কোন ৰবগীতৰ তৰ্জ্জমা?

ৰবৰকুৱা—তাকো নাজানা? শুনা গাওঁ,

"নাৰায়ণ কাহে ভকতি কৰো তেৰা।
মেৰি পামৰ মন, মাধৱ ঘনে-ঘন,
যাতুক পাপ নছোড়া॥
যত জীৱজন্তু, কীট পতঙ্গম, অগণক জগতেৰ কায়া।
সবকোহা মাৰি পুৰত এহি উদৰ, নাহি কৰত ভূত দয়া॥
ঈশ সৰ্ব্বপে হৰি সব ঘটে বৈঠই, থৈছে গগন বিয়াপি।
নিন্দা বাদ লিগুন হিংসা হৰি,
তেৰি কৰোহোঁ হামি পাপী॥
কাকু শঙ্কৰে কয়, কৰ কৰুণা নাথ,
মো নছাৰয় ৰাম বাণী।
সব অপৰাধক বাৰক তুৱা নাম,
তাহে শৰণ লৈলোঁ জানি॥"

লম্বাই—শঙ্কৰদেৱৰ তিথি মহোৎসৱত এই গীতটো নাগাই, তাৰ ইংৰাজী ভাঙনি গাব কিয়?

ৰব—কাৰণ, আজিকালি শঙ্কৰদেৱৰ তিথি-উৎসৱেই ইংৰাজী ভাঙনিত হয়। চকী, মেজ, সভাপতি, সভ্য মহোদয়, বক্তৃতা, গান বা গীত, হাৰমনিয়ম, বায়া আৰু তবলা। তাত শঙ্কৰদেৱৰ ৰচিত অসমীয়া ভাষাৰ গীত "হংস মধ্যে বকো যথা" হব। সেইদেখি তাৰ ইংৰাজী তৰ্জ্জমা গাম বুলিছোঁ।

লম্বাই—ডাঙৰীয়াই মোক থং নকৰিব; কিন্তু কাৰ্য্যটো মই ভাল দেখা নাই।

ৰব—তুমি নেদেখিব পাৰা, কিন্তু সকলোৱে ভাল দেখে। তুমি মোক থং কৰিবলৈ হাক দিলা দেখিছে মোৰ থংটো মুঠাকৈ থাকিল; নহুবা উঠি আহিছিলেই। সেই-দেখি থং মুঠাকৈয়ে তোমাক বুজাই দিওঁ শুনা।—

আজিকালি আৰু তোমাৰ সেই শঙ্কৰী যুগ নাই। আজিকালি "ৰিনাছেন্স"—যুগ, অৰ্থাৎ তৰ্জ্জমাৰ যুগ। এই যুগত তৰ্জ্জমাৰ বাহিৰে গতি নাই। এই যুগত ৰব সৰাহ ৰিৰাট সভা হয়; ভকত ভকতনীসকল ভদ্ৰ মহোদয় আৰু ভদ্ৰ মহিলা হয়, তিথি "মেমাৰিয়েল মীটিং" হয়,

চৰিত্ৰ-বৰ্ণনা বা তোলা সুচিন্তিত বা অচিন্তিত বক্তৃতা হয়, শৰীৰ ৰোমাঞ্চকাৰী ভক্তি-কথা, বক্তাৰ মূৰৰ চুলি ঠিয় হোৱা আৰু চকু দুটা টেলেকা টেলেকি কৰা উত্তেজনাপূৰ্ণ অঙ্গিভঙ্গি হয়। যুগে যুগে পৃথক ব্যৱস্থা। ঈশ্বৰেও সেইদেখি "যুগে যুগে অৱতাৰ ধৰি অসংখ্যাত" হৈ ওলায়। বোলো সৰহ নকওঁ; ধৰা যদি শ্ৰীশঙ্কৰদেৱেই ঈশ্বৰৰ ইচ্ছাত, কিবা স্বৰূপে, কিবা মনৰ বশৱৰ্ত্তী হৈ, আকৌ শৰীৰ পৰিগ্ৰহণ কৰি, আন নালাগে, আমি কৰা তেওঁৰ তিথি-মহোৎসৱতে ওলায়হি, তেওঁ যদি এই যুগৰ ৰীতি-নীতি অনুসাৰে কোট পটলুং পিন্ধি নাহে, অথবা অন্ততঃ এই যুগৰ সংশোধনী প্ৰস্তাৱ অনুসাৰে খাদিৰ চুৰিয়া, চোলা, চেলেং গাত লৈ নাহে, (গান্ধী টুপি নিপিন্ধে নিপিন্ধক, অসমীয়া পাটৰ বা মুগাৰ কপোৰৰ পাগুৰি পিন্ধি নাহে) তেন্তে তেওঁৰ তিথি-মহোৎসৱতে আমি তেওঁক সোমাবলৈ দিব নোৱাৰোঁ। কাৰণ আইন is আইন।

তোমাক কেইবাৰ কম যে এই যুগ তৰ্জ্জমাৰ যুগ। আন নালাগে আমাৰ কথা-বাৰ্ত্তাৰ ফালেই মন কৰিলে দেখিবা, আমি কথা কওঁ, ইংৰাজী বা বঙলা idiom অৰ তৰ্জ্জমা কৰি। আমাক দেখি আমাৰ আৰ্হি লৈ আমাৰ অৰ্দ্ধাঙ্গিনী শিক্ষিতা সুন্দৰীসকলেও তাকে কৰিছে। দূৰলৈ যাব নালাগে, আমাৰ মাহেকীয়া, পষেকীয়া, সাদিনীয়া, দুদিনীয়া, আৰু দৈনিক কাকত কেইখনকে মেলি চোৱা, আমাৰ শিক্ষিত তৰুণ আৰু শিক্ষিতা তৰুণীসকলে বঙলা আৰু ইংৰাজী ভাষাৰ কেনে সুন্দৰ তৰ্জ্জমা-অসমীয়াত তেওঁলোকৰ প্ৰৱন্ধবোৰ ৰচনা কৰিছে। দেখিলে দেহ-লাওত থকা প্ৰাণটো লাওটোৰে সৈতে জুৰাই যায়। উদাহৰণ তুলি দিবৰ আৱশ্যকেই নাই; কাৰণ, সেইটোৱেই স্বদেশীতাৰ ঠিক পন্থা, তেহেলৈ আমৰ চাৰি কুৰি বছৰীয়া বুঢ়া হৰিভকতে যিহকে কওক। তেওঁ এতিয়া আমাৰ "কথামখাৰ আইমখা" নুবুজিলেও, আৰু দহ বছৰৰ মূৰত আমি যেতিয়া কাৰ্জ্জন-হলত তেওঁৰ তিথি অৰ্থাৎ "মেম'ৰিয়েল মীটিং" পাতি fiery বক্তৃতা দিম (তেতিয়ালৈকে এই লেখক জীয়াই থাকিলে হয়। থাকিব, যদি হৰি ভকতে বলেৰে হাতত ধৰি টানি লৈ নাযায়,) তেতিয়া বুজিব।

লম্বাই, তুমি দেখা নাইনে, এই যুগৰ অসমীয়া সাহিত্যৰ কিতাপতো গ্ৰন্থকাৰসকলে ইংৰাজী পাতনি লিখে? কিয়? কাৰণ, যুগধৰ্ম্ম। ইংৰাজী নজনাক আজিকালি শিক্ষিতকে নোবোলে আৰু ঠিক কৰে; তেহেলৈ তেওঁ বেদ, বেদান্ত, উপনিষদ, পুৰাণ, দৰ্শন, পৰ্শন, মৰ্ষণ, ঘৰ্ষণ, জাবৰ, জোঠৰ, যিমানকে পঢ়ক। দূৰৰ ৰম্য পৰ্ব্বতৰ কথাকে নকওঁ, আজি ওচৰৰ মেট্ৰিক পাছ বা আগ কৰি যাব পাৰিলেই শিক্ষিত শ্ৰেণীৰ ৰেজেষ্টৰী বহীত তেওঁৰ নাম উঠিল শিক্ষিত। কাৰণ, যুগধৰ্ম্ম। আৰু ভাল ধৰ্ম্ম, ঠিক ধৰ্ম্ম, ঠিক কৰ্ম্ম, ঠিক মৰ্ম্ম।

আদিৰ সভ্যতাৰ প্ৰথম গোন্ধ পাইছিল, আমাৰ অসম অসমে। তেওঁলোকে সেইদেখি ঘৰৰ মূধচত উঠি কৈছিল, "বাহিৰত বৰ চুৰিয়াৰ ফেৰ আৰু ঘৰত ঢকুৱাৰ বেৰ।" ঘৰত সোমোৱা দুৱাৰ খন ছেগুণ কাঠৰ কৰাবা বা কৰিবা; তাত বাৰ্ণিচ সানি চিকচিকীয়াকৈ ৰাখিবা, কাৰণ সেইখন তোমাৰ ঘৰৰ পাতনি—আৰু একদম ইংৰাজী পাতনি; কোনে কি বোলে বোলক? জজ, কমিশ্যনাৰ, গোৰা, ক'লা, যি আহে, তাৰ কাষলৈ আহি "হেলো মিষ্টৰ ছো এণ্ড ছো" বুলি গুড-মৰ্ণিং" নকৰি নোৱাৰে। তাৰ পিছত তোমাৰ ঢকুৱাৰ বেৰ বিভূষিত ঘৰৰ ভিতৰলৈ তেওঁলোকক নানিলেই হল; আৰু তেওঁলোক নিজেই নাহেও; কাৰণ, তোমাৰ ঘৰৰ চকমকীয়া দুৱাৰ দেখিয়েই তেওঁলোক সন্তুষ্ট হৈ যাব। কাৰো ইমান আহৰি বা আগ্ৰহ নাই, যে তোমাৰ এলাহ্নুকলীয়া ঘৰত সোমায়। এইটো কিন্তু ভাল বুদ্ধি, বৰবৰুৱাই Strongly recommend কৰে। তাৰ বাহিৰে তুমি যে ইংৰাজী জানা বা ভালকৈ নাজানা, তাৰো প্ৰমাণ, বিচক্ষণ বাহিৰা লোকে তোমাৰ দুৱাৰমুখৰ পাতনি দেখিয়েই বুজিব পাৰিলে অনেক লেঠা মৰে।

মুঠতে শ্ৰীমান বা শ্ৰীযুত কৃপাবৰ বৰবৰুৱাই ইংৰাজী জানে, তাত তুমি সংশয় নকৰিবা। প্ৰমাণ—ওপৰত দিয়া বৰগীতৰ তৰ্জ্জমা। তাকে ধৰি লোৱা বৰবৰুৱা বামুণৰ লগুণ বুলি।

লম্বাই—শ্ৰীশঙ্কৰদেৱে কোনো বৰগীত ইংৰাজী ভাষাত ৰচনা কৰিছিলনে?

বৰবৰুৱা—এইবাৰ তেওঁ তেওঁৰ তিথি attend কৰিবলৈ আহিলে, এটা গীত ইংৰাজীতে compose কৰি গাবলৈ আমি সকলোৱে তেওঁক request কৰিম। ইতি—

কৃপাবৰ

পৰিৱৰ্ত্তন

(আগৰ সংখ্যাৰ পাছৰপৰা)

—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী

—গল্প

দিনটো যে মোৰ কিভাৱে গ'ল তাক আনে কি বুজিব। অৱশেহত ঠিক কৰিলোঁ—যি হবৰ হব আৰু ভাবিব নোৱাৰোঁ। ঘটনাস্ৰোতে মোক যিফালে লৈ যায় সিফালেই গা উটাই দিম। তাৰ বাজে মোৰ সাধ্য কি যে মই নিয়তিৰ বিধান প্ৰতিৰোধ কৰোঁ।.....বিভা ডাঙৰ মানুহৰ ছোৱালী। টকাৰ গৰমত নিশ্চিন্ত হৈ আছে নিশ্চয়, নহলেও হৈ যাব দুদিন পিছতে। মানুহৰ সুখ-দুখৰ কথা তাই কি বুজিব। টকাৰ তাগাদা কৰিছিল—দিব নোৱাৰিম ভাবি; আৰু দিব নোৱাৰিলে তাইৰ অনুগৃহীত হৈ থাকিব লাগিব বুলি। কিন্তু মই পশু নহওঁ—ভেৰা নহওঁ। কাৰো অনুগ্ৰহৰ দানৰ ওপৰত জীয়াই থকা এনে কল্পনা মোৰ কোনো কালেই নাছিল। বৰং সময় আহিলে মোৰ পঢ়াৰ কাৰণে খৰচ কৰা ভাবী শহুৰৰ টকাখিনিও ওভোতাই দিম মনত ভাবিলোঁ। সি বাৰু পিছৰ কথা পিছত হব; কিন্তু বৰ্ত্তমানে তেওঁৰপৰা যে টকা আহিল তাৰ কি হব? তাৰ উপায় টকা হাতত থাকাতে বিভাৰ টকাবিলাক ওভোতাই দি দিয়া; দিব নোৱাৰাৰ চিন্তাই যে মোক যন্ত্ৰণা দিছে সৰহ।

আবেলি গীতাইতৰ ঘৰ বুলি খোজ ললোঁ। আলি বাটৰ মুক্ত বতাহত আৰু অসংখ্য বিচিত্ৰ জল-জান-গতি-পূৰ্ণ দৃশ্যাৱলীয়ে মোৰ মনটো ভাল লগালে। কিন্তু কিমান সময়ৰ কাৰণে? চিন্তাকীটে মনত বাহ লৈছে যেতিয়া মোক ধ্বংস নকৰাকৈ নেৰে জানিছোঁ। কি উপায় হব—কোন ফালে সন্তৰিম! সকলো প্ৰশ্নৰ সমাধান হব পাৰে মই যদি এতিয়াই মৰি যাব পাৰোঁ। উস্ বিধাতা। * * *

হঠাৎ মোৰ চমক ভাগিল—বিভাইতৰ দুৱাৰ মুখ পাই। ইমান অন্যমনস্ক হৈছিলোঁ—কলৈ যাওঁতে ক'ত আহি পালোঁ। ঘূৰি উভতি যাম, এনেতে বিভাৰ পিতাকে দেখি মাতিলে—"যাচ্ছো ক্যানো?" (যোৱা কেলেই?) মহা মস্কিলত পৰিলো। মনৰ ভাব গোপন কৰি, বাধ্য হৈ আগ বাঢ়ি ঘৰত সোমালোঁ। মোৰ নিমন্ত্ৰণ আছে, পলম কৰিব নোৱাৰিম বুলি কলো। কিন্তু তেওঁ কলে—"তা বে'শ তো—যাবে এখোন; একটু বোসই না। এ' ক'দিন দেক্‌তে পাইনি যে?" (যাবা এতিয়াই বাৰু; অলপ বহাচোন। এই কেইদিন দেখা পোৱা নাই কিয়?)

বিভাৰ দেউতাক এজন গল্পী মানুহ। মানুহ লগ পালে এৰিব নোখোজে। অলপ বহি যাওঁ, নহলে বেয়া দেখি বুলি এখন চকী টানি বহিছো এনেতে বিভা আৰু তাইৰ মাক সেই ঘৰত সোমাল। এনে অসময়ত মোক লগ পাব বিভাই নিশ্চয় আশা কৰা নাছিল; হঠাতে দেখি অলপ থমকি ৰল—পিছত গহীন হৈ মেজৰ ওচৰত বহিল। তাইক দেখা মাত্ৰকে মোৰ মন বৰ চঞ্চল হৈ উঠিল। ইচ্ছা কৰিও তাইৰ পিনে চাব নোৱাৰা হলো। তাইক বৰ আপোনাৰ জন যেন লাগিছিল; কিন্তু কি যেন সামান্য হিছাবৰ কম-বেছিৰ কাৰণে এটা মহা পৰিৱৰ্ত্তন হৈ গ'ল। তাইৰ মোৰ মাজত এটা অলঙ্ঘ্য প্ৰাচীৰ কেনেবাকৈ থিয় হৈ গল, যাৰপৰা ইচ্ছা কৰিলেও ওচৰ চাপিব নোৱাৰি। ইচ্ছা হব ধৰিলে—চিয়ঁৰি কান্দি মনৰ সকলো জ্বালাৰ নিবৃত্তি কৰো। * * *

অলপ পিছতে খানছামা এজনে 'ট্ৰে'ত' চাহ খোৱাৰ সৰঞ্জাম আনি হাজিৰ কৰিলে। বিভাৰ মাকে আন এযোৰ 'কাপ্-প্লেট' আনিবলৈ হুকুম কৰিলে। আনিলত মাকৰ কথাত বিভাই সকলোৰে নিমিত্তে এক এক 'কাপ্' চাহ বাকি আগবঢ়াই দিলে। যি বিভাৰ

মুখত সদায় হাঁহি তাইৰ মুখত আজি হাঁহি নাই, যেন এটা কিবা বিষাদৰ ছাঁয়াপাত পৰিছে। চেষ্টা কৰিও প্ৰফুল্লতা আনিব নোৱাৰা হৈছে যেন লাগিল। ভন্তাৰ খাতিৰত মই এক 'পিয়লা' গলা কিন্তু 'বিছকিট' আদি একোকে নোলোৱা দেখি বিভাৰ দেউতাকে বৰকৈ ধৰিলে। বাধ্য হৈ এখন ললো। তাকে দেখি বিভাৰ মাকে মন্তব্য কৰিলে—কিন্তু বিভাই নিজে একো না-মাতিলে। বিভাৰ মাকে এবাৰ মোৰ ফালে এবাৰ জীয়েকৰ ফালে চাবলৈ ধৰিলে। বোধকৰোঁ তেওঁৰ মনত কিছু সন্দেহ হল—আমালোকৰ দুয়োবে ভিতৰত কিবা মান অভিমানৰ অভিযান চলিছে বুলি। নকলেও চলে—তেতিয়া আমি দুয়ো দুয়োৰ পিনে নাচাই আনফালে চাই আছিলো। বোধকৰো মানসিক অশান্তিও সমানে ভুগিব ধৰিছিলো। কোনেও মোৰ বিয়াৰ কথা মুখুষিলে—সম্ভৱ বিভাই সেই কথা কাকো কোৱা নাই।

বিভাই যেনে তেনে চাহটোপা খাই উঠি ভিতৰলৈ যাব ধৰিলে! তাকে দেখি তাইৰ দেউতাকে কলে—"যাচ্ছ ক্যানো মা, বোসো।" (মোৱা কিন্তু আই, বহা)।

মই এবাৰ কেবাহাতকৈ বিভাৰ পিনে চাই বুজিলো তাইৰ চকুৰ পানী ওলাব ধৰিছিল, পলাই গৈ মছি পেলালে! মইও আৰু পলম নকৰি উঠিলো। বিভাৰ মাকে মোৰ ফালে এটা তীব্ৰ দৃষ্টিপাত কৰিলে।

২০

গীতাৰ ঘৰৰ সকলোটি মোৰ নিমিত্তে বাট চাই আছিল। গৈ পোৱা মাত্ৰকে অভ্যৰ্থনা কৰি ভিতৰলৈ লৈ গল। গীতাই আজি অপূৰ্ব্ব মনমোহিনী সাজ-পাৰ পিন্ধি বহি আছে। পিন্ধনত ফেৰোজা অৰ্থাৎ আকাশী বৰণৰ "ভয়েল"ৰ শাৰী, গাত সেই বৰণৰে ব্লাউজ, কাণত চেপেতা কাণবালা, ডিঙিত চিকণ কিন্তু বৰ দীঘলহাৰ, বাঁও কাঙ্কতবোজ, হাতত ব্ৰে'ছেলেট আৰু ঘৰী, কোৱা বাহুল্য সকলোটি সোণৰ, বুকুত 'বাটনহোল্ বোকে'। (অৰ্থাৎ ফুলৰ সক তোৰা)। দি য'ত পিন্ধিলে ভাল দেখে ঠিক তাকেই পিন্ধিছে। মোক দেখা মাত্ৰকে প্ৰেম পুলকত মুখ প্ৰদ্যুল্লিত হৈ উঠিল। ইমান পলম কাৰণ সুধি উত্তৰ পোৱাৰ আগতে তাইৰ বুকুত পিন্ধা 'বোকে' (boquet) টো সোলোকাই লৈ মোৰ বুকুত পিন্ধাই দিলে। হাতত ধৰি চকীৰ ওচৰলৈ লৈ গৈ বহিব দি নিজে ওচৰতে বহিল * * * ঘৰৰ পৰদা, 'টেবিল-ক্লথ,' চকীৰ ওপৰত দিয়া 'টাৱেল' আদি সকলো ধোলাই কৰা হৈছে; 'ফ্লাৱাৰ ভাছত' ফুলৰ ডাঙৰ ডাঙৰ তোৰা জকমকাব ধৰিছে; সুগন্ধি এছেন্স—লেভেণ্ডাৰ আদিৰ গন্ধত ঘৰ আমোদ-মোল! এই ঘৰখন সদায় পৰিপাটি চাফ-চিকণ থাকেই; তাৰ ওপৰত আজি যেন নৱ বসন্ত সমাগমত নানা পল্লবিত তৰু লতা আনন্দত হাঁহিছে। যেন সদ্যস্নাতা প্ৰকৃতি দেৱীয়ে উন্মুক্ত কুন্তলা হৈ উষাৰ তৰুণ অৰুণ কিৰণ পান কৰিছে। আমন্ন গৃহিণৰ কালত পুৱাৰ লগত তুলনাত যদি দি অসঙ্গত বা কচি বিকাৰ প্ৰকাশ পায়—উপায় নাই। মই কিন্তু গীতা আৰু তাইৰ ঘৰৰ সজ্জা দেখি এটা যেন নতুন আলোক পালো। মোৰ প্ৰেমৰ পুৱাত অৰ্থাৎ প্ৰথম অভ্যুদয় এই গোহৰ পোৱা পৰিয়লৰ ছোৱালীক জীৱন সঙ্গিনী কৰি নতুন আলোকপ্ৰাপ্ত হম অৰ্থাৎ নতুন দৰ্শত দীক্ষিত হম। গতিকে মোৰ জীৱনৰ আজি সকলো পুৱা।

গীতাৰ মাকে এজন নতুন মানুহৰ লগত পৰিচয় কৰি দিলে। তেওঁৰ নাম নাৰায়ণচন্দ্ৰ ঘোষ—'মাৰ্চেণ্ট অফিছত' চাকৰি কৰে। গীতাৰ ৰূপ-পিয়াজী তাক বুজিবলৈ মোৰ পলম নহল। তাইৰ ওচৰে ওচৰে ফুৰিছে। আকৌ মোৰ ওচৰত আহিও নানান কথা পাতিছে। কেতিয়াবা গুহুতীয়া কথা পাতি সকলোকে হহুৱাইছে। গীতাৰ লগত মোৰ বিয়া হব বুলি শুনি তেওঁৰ মহা বং হৈছে বুলি দেখুৱাই ফুৰিব ধৰিলে, কিন্তু তেওঁৰ অন্তৰত যে ঈৰ্ষাৰ জুই জ্বলিছে সেইটো চকুত স্পষ্ট দেখা গৈছে। মই কিবা কাৰণত বাজলৈ ওলাইছো, এনেতে তেওঁ গীতাক ফুছফুছাই কোৱা শুনিবলৈ পালো—"এই! এবি জন এতো? আমি মনে কৰলুম কি না কি! কোন কাত্তিক বুজি মৌৰ ছেৰে এসেছে।" (এয়ে! ইয়াৰ নিমিত্তে ইমান? মই মনত ভাবিলো কিবা হে? কোনো কাত্তিক বোধকৰো মৰা চবাই এবি আছিছে।) গীতাই বিৰক্তিৰ সুৰত জবাব দিলে—"তুমি চুপ কৰো নাৰায়ণ দা,—আমি আৰ কিছু শুনতে চাই না ওসব। (তুমি চুপকৰা নাৰায়ণ ককাই! মই একো শুনিব নোখোজো সি বোৱা)। লোকৰ কথা বিশেষকৈ নিজৰ নিন্দা আনৰ মুখৰপৰা ওলোৱা—কাণ পাতি শুনি থাকিবলৈ ভাল নালাগিল; গল থেকাবি মাৰি মোৰ আগমন বাৰ্ত্তা জনাই ঘৰত সোমালো। বাধ্য হৈ তেওঁ চুপ কৰিলে। কিবা কাৰণত গীতাও ঘৰৰ ভিতৰলৈ সোমাই গল। * * এবাৰ সুযোগ পাই গীতাৰ মামীদেৱক সুধি জানিবলৈ পোৱা গল—নাৰায়ণ বাবু এজন গীতাৰ প্ৰণয়াকাঙ্খী হতাশ প্ৰেমিক। কিন্তু আশা হলে এতিয়াও এবা নাই; তাক তেওঁৰ গতি-বিধি দেখিলেই বুজিব পাৰি। টকা থকা মানুহ—সময়ে সময়ে গীতাইতক টকা পইছা ধাৰে দি সহায় কৰে। তাবে সুবিধা লৈ গীতাক নিজৰ কৰি লব খোজে। কিন্তু গীতা অকণো তেওঁৰ পক্ষপাতী নহয়। এই বিষয়ে গীতাৰ মাকবো মনৰ বল যথেষ্ট। ছোৱালীৰ আন্তৰিক ইচ্ছাৰ বিৰুদ্ধে কোনো কথা কব নোখোজে। * * * জীয়েকৰ ইচ্ছাৰ বিৰুদ্ধে অন্ততঃ পতি নিৰ্ব্বাচন সম্বন্ধে যে তেওঁ যাব নোখোজে তাৰ প্ৰমাণ যথেষ্ট পোৱা গৈছে। তাৰ নিমিত্তেই বৰ্ত্তমান ক্ষেত্ৰত মোৰ সাফল্য, কিন্তু গাভৰু ছোৱালীয়ে খোজে অধিকাংশ ক্ষেত্ৰতে ৰূপ। ধনৰ মোহ এবি জীয়েকৰ পছন্দৰ ওপৰত নিৰ্ভৰ কৰা কম কথা নহয়। সি যিয়ে নহওক, নাৰায়ণ বাবুৰ প্ৰতি মোৰ কিন্তু অকণো হিংসা ঈৰ্ষা নাহিল। বৰং তেওঁৰ পৰাজয়ত মোৰ মনত এটা সহানুভূতি আৰু অসহায়ৰ প্ৰতি অত্যাচাৰৰ এটা পৰিতাপ হে আছিল। ইচ্ছা হব ধৰিলে—গীতাৰ মাকে দিয়া ৪০০৲ টকা ওভতাই নি যদি মোক মুক্তি দি, এই নাৰায়ণচন্দ্ৰ ঘোষৰ লগতে গীতাৰ বিয়াখন দিয়ে, তেনেহলে এই মানুহ জনৰ অভিশাপ মোৰ নালাগিলহেতেন!

২১

গীতাই আজি যেন মোক নপৈ ভাল পাইছে—নিজৰ প্ৰাণক নিঃশেষ কৰি মোক বিলাই দিব খুজিছে। তাইৰ কথাই কথাই মধুৰ হাঁহি। কেনে সুন্দৰ সাজ-পাৰ পিন্ধি সুকচিপূৰ্ণ প্ৰসাধন কলাৰ প্ৰমাণ দিছে। তাতে তাইৰ প্ৰতিটি অঙ্গি-ভঙ্গিয়ে যেন ভিতৰত থকা সৌন্দৰ্য্যক বহুগুণে ফুটাই তুলিছে। কিন্তু মনৰ মাজত কোনোবা চুকত যেন কিবা অপূৰ্ণ খুত—যেন কিহৰ এটা অভাব বৈ গৈছে। কি সেইটো? নাৰায়ণ বাবুৰ সম্বন্ধে কিবা কথা হবঁও পাৰে। এবাৰ অকলে পাই সুধিলো তেওঁৰ লগত কি সম্পৰ্ক? গীতাই ততালিকে উত্তৰ দিলে "ওঃ নাৰায়ণদা,—আমাদেৰ আপনাৰ লোকেৰ মতো। ৰবো স্নেহ কৰেন আমায়।—অনেক দিনেৰ আলাপ। ওঁৰ বাবাৰ সঙ্গে আমাৰ বাবাৰ বন্ধুত্ব ছিলো খুব।" (অ' নাৰায়ণ ককাই,—আমালোকৰ আপোন মানুহৰ দৰে—ৰব স্নেহ কৰে মোক। বহুত দিনৰ পৰিচয়। তেওঁৰ বাপেকৰ লগত মোৰ দেউতাৰ বন্ধুত্ব আছিল খুব)।

স্নেহ-মমৰ ওপৰত আন কিছু সেইটো অকল অনুমানেই নহয়, মোৰ ভাবী মামী শাহুৰ মুখত শুনি জানিবলৈ পাইছিলো। গোপন নকৰি সুধিলো—"অকল স্নেহেইনে—প্ৰেম পীৰিতি?"

গীতাই—"মোৱা তুমি বৰ দুষ্ট" বুলি চকুমুৰি ঘুৰাই এটা মধুৰ কটাক্ষপাত কৰিলে,—এনেতে চাহ খোৱাৰ সময় হল। সকলো ঘৰত সোমাল। আৰু কথা নহল; কিন্তু মিছিকিয়া হাঁহিৰ খীণ বেখাটি তেতিয়ালৈকে তাইৰ ওঠত ফুটি আছিল। * * * আজি বৰ কুক্ষণত আকৌ বিভাৰ লগত দেখা হৈছিল। তাইৰ চকুবলো কি কাৰণে ওলাইছিল? মি কাৰণেই ওলাওক, মোৰ হৃদয়ত সেই দৃশ্য বৰ বেছি দুবৈলৈকে খোদিত হৈছিল। যদি উপায় থাকিলহেতেন তেনেহলে মই মোৰ উমমালেদি মছি দি সুধিলোহেতেন—তাই কি খোজে। মই সজ্ঞানেতো তাইৰ কোনো অপৰাধ কৰা নাই। তেনেহলে কিয় মোক দেখিব নোৱাৰে?—তাইৰ মাকে মোক সন্দেহ কৰে, কিন্তু গীতাৰ মাকে কৰে স্নেহ। সি যাওক বাক—গীতাৰ হাঁহি মনত পৰিল বিভাৰ আন্ধাৰ মুখ আৰু গীতাৰ কটাক্ষত মনত পৰিল বিভাৰ চকুৰ পানী—* * গীতাই চাহ বাকিলে। মই ইয়াতো এটা মাথো 'কেক্' ললো। দেখি গীতাই খণ্ডৰ

ভাও দেখুৱাই 'বিছকিট', ছেন্‌ডুইচ (sanduich) ফল-মূল আদি সকলো খাবৰ বাবে অনুৰোধ কৰিবলৈ ধৰিলে। মই আগ পাছ নাভাবি সৰল মনেৰে কৈ পেলালো—"নহয় ;—বিভাইতৰ ঘৰত চাহ খাই আহিছো"।

কথাষাৰ শুনা মাত্ৰকে ছাৎ কৰি গীতাৰ মুখখন ক'লা পৰি গল। তেতিয়াই আকৌ প্ৰকৃতিস্থ হৈ হাঁহি কলে —"আঃ তাতনো কি? যোৱান মৰদ,—এই সামান্য বস্তুখিনি খাবই লাগিব। কোনে চাহ দিলে—বিভাই হবলা, নে তাইৰ মাকে?"

ইয়াত আৰু গোপন কৰিবৰ কি আছে? সঁচা কথা কলো। শুনি আকৌ এবাৰ গীতাৰ মুখৰ ভাব মুহূৰ্ত্তৰ নিমিত্তে বদলি হল। অলপ পিছত কিছু আঁতৰত গৈ গীতাই তাইৰ মাকৰ কাষত বহি মই বুজিব নোৱাৰাকৈ মনে মনে কিবা কিবি কবলৈ ধৰিলে। মাকে কথা শুনি শুনি একো একোবাৰ মোৰ মুখৰ ফালে চাবলৈ ধৰিলে।* *

গধূলি হল। গীতাৰ মাকে সকলোকে মাতি উপাসনাত বহিল। কোৱা বাহুল্য মইও বহিলো। সৎ কামত আপত্তিৰ কি কথা আছে? বিশেষকৈ দিনচেৰেক বাদে মই ব্ৰাহ্ম্য ধৰ্ম্মত দীক্ষিতেই হব লাগিব যেতিয়া। গীতা মোৰ বাঁওফালে বহিল।—চাহ খোৱাৰ পিছৰেপৰা তাইৰ গাৰ্ব্বোৰ ঢং বাদ দিলে কি কাৰণে তাৰ হে মই তত ধৰিব নোৱাৰিলো। ধৰ্ম্মৰ নামত এই ভাবান্তৰ নহয়নে?* *

২২

যদিও গীতাৰ মাকৰ কথামতে মই তাৰ পিছদিনাই বিভাৰ টকাখিনি তাইৰ নামে 'ৰেজিষ্ট্ৰি' চিঠিত পঠিয়াই দিছিলো আৰু বিভাইতৰ ঘৰৰ ফালে মুখকে নকৰিম বুলি তেওঁৰ আগত প্ৰতিজ্ঞা কৰিছিলো—প্ৰতিজ্ঞা ৰক্ষাও কৰিছিলো। সিফালে মুখকে কৰা নাই; কিন্তু পিতালৈ নজনোৱাকৈ থাকিব নোৱাৰিলোঁ। গীতাৰ মাকে কৈছিল অৱশ্যে—শুভ কামত বহু বাধা বিঘিনি; এতেকে পৰম ব্ৰহ্মময়ৰ কৃপাত বিয়াখন ভালে ভালে হৈ যোৱাৰ পিছত ঘৰলৈ চিঠি দিলে কোনো গোলমাল হবৰ ভয় নাথাকিব। তথাপি মোৰ মনত এটা কথাই বৰকৈ খটকা লগালে। কন্যাদাতা পিতা-মাতাত কৈ জন্মদাতাক অকাৰণে সৰু কৰো কিয়? যদি বিবাহৰ নিচিনা এটা ডাঙৰ শুভ কাম কৰিবলৈয়ে ওলাইছোঁ তেনেহলে আশীৰ্ব্বাদ নলৈ দেউতাৰ খঙৰ পাত্ৰ আৰু আইতাৰ দুখৰ কাৰণ হওঁ কি কাৰণে? কিন্তু সেই ভয়—বিদেশিনী, বঙালনী; তাতে আকৌ বিধৰ্ম্মিণী! যিয়ে ই অদৃষ্টত আছে হব।* * *

যিমানদূৰ সম্ভৱ মোৰ মনৰ অৱস্থা, ইচ্ছা, বিবাহৰ উদ্দেশ্য, ভৱিষ্যত সুখ দুঃখ আদি বিস্তাৰিত বৰ্ণনা কৰি আইতালৈ পত্ৰ লিখিলো—তেওঁৰ আৰু পিতাৰ অনুমতি আৰু আশীৰ্ব্বাদ প্ৰাৰ্থনা কৰি। 'স্ত্ৰীৰত্নং দুষ্কুলাদপি'—এতেকে বঙলনীত দোষ নাই; কোনে কোনে ভাটি দেশত বিয়া কৰিছিল সেইবোৰ নামৰ তালিকাও পঠালো। নিলিখিলো—অকল বিধৰ্ম্মীৰ কথা। কাৰণ প্ৰয়োজন হলে বিয়াৰ পিছত শুদ্ধি কৰিব পৰা যাব। আৰু ব্ৰাহ্মক ঠিক বিধৰ্ম্মী বুলিব নোৱাৰি। বৰং বেদোক্ত আদি ধৰ্ম্ময়ে এইটো বুলি ব্ৰাহ্ম সমাজভুক্তসকলে দাবী কৰে।

পত্ৰৰ উত্তৰ পাম পাম বুলি থাকোতে দেউতা, আৰু মোৰ মোমাইৰ পুতেক, এজন ককাই আহি ওলাল। তেওঁলোকক দেখা মাত্ৰকে বুজিবলৈ বাকী নাথাকিল মোৰ বিয়া পণ্ড কৰিবলৈ আহিছে।.....

খোৱা লোৱাৰ পিছত ককাইক সকলো খুলি কলো। —বহুত দূৰ আগ বাঢ়িছোঁ, এতিয়া এৰিব নোৱাৰি। তাৰ উপৰিও গীতাক বিয়া কৰাব নোৱাৰিলে মোৰ জীৱন ব্যৰ্থ হব—এতেকে মই সন্ন্যাসী হৈ ওলাই যাম বুলি ভয় খুৱালো। তেওঁ দুশ্চিন্তাত পৰিল, কিন্তু পিতাই শুনি গৰ্জ্জি উঠিল—"পাষণ্ড! এইবিলাকে লিখা পঢ়া শিখিছে? এজনী বঙালনীক বিয়া কৰি সহধৰ্ম্মিণী কৰিম বুলি কওঁতে অকণো লাজ নকৰিলে—অকণো ইতস্ততঃ নকৰিলে। নিজৰ প্ৰতিশ্ৰুতিক ডাঙৰ দেখিলে। মই যে বাপেক—সত্য খাই থৈছোঁ;—পিতৃসত্যৰ কথা এবাৰো নাভাবিলে। ই মনে মনে ঠিক কৰাও নহয়; ছোৱালীৰ 'ফটো' দেখুৱাই, মত লৈ হে কথা দিয়া হৈছিল। অকল সেয়েনে? লোকৰ টকা লৈ যে বহুত দিনৰ আগেয়ে নিজক বেচি থৈছে—

সেই কথা পাহৰি গৈ আকৌ আন ঠাইত বিক্ৰীত হব খুজিলেই হলনে কি? এতিয়া বুঢ়া বয়সত কি মোক জেল খটুৱাব খোজে, সকলোৰে আগত ঠগ—জুৱাচোৰ বুলি সৰু কৰিব খোজে? সেই কথা নহব। মই এনে অসম্ভৱ কামত অনুমতি দি—আগৰপৰা বাগদত্তা ছোৱালীৰ সৰ্ব্বনাশ কৰিব নোৱাৰো। যথেষ্ট হৈ গল আৰু শিক্ষাৰ দৰকাৰ নাই বিদেশত। কাইলৈ দেশলৈ যাব লাগিব—প্ৰস্তুত হ।

মোৰ মূৰত যেন বজ্ৰাঘাত হল। পিতাক বুজাবৰ শেষ আশা গল। কেনেকৈ গীতাক কম যে—দেউতাই মত নিদিয়ে? তাইৰ মাকেতো কৈছিল—লিখা ভাল নহয় বুলি। অনুমতি নলৈ বিয়া কৰা আৰু হকা-বাধা নুশুনি বিয়া কৰা একে নহয়।...

মোৰ অন্তৰত যে কিছু পাপ নাই এনে নহয়। মই যে দেশৰ এজনী ছোৱালীৰ পাণি গ্ৰহণ কৰিম বুলি ঠিক হৈ আছোঁ আৰু তাইৰ খৰচতে কলিকতাত আছোঁ, সেই কথা মই কাকো কোৱা নাছিলো। এতিয়া সি কথা শুনা মাত্ৰকে মোক এজন জুৱাচোৰ, ঠগ, কপট আদি বুলি ভাবিব। লোকৰ ছোৱালী বিয়া কৰাম বুলি মানুহক ঠগি টকা খাই ফুৰা মোৰ এটা ব্যৱসায় বুলিহে প্ৰমাণিত হব। 'চীটিং' (cheating case) কে'ছ, অৰ্থাৎ ফাকি দি টকা খোৱা বুলি ফাটেকত নিদিলে ৰক্ষা। কিন্তু অন্তৰ্য্যামীয়ে ভালকৈ জানে। কাকো ঠগিবৰ মোৰ আন্তৰিক ইচ্ছা নাই। হায় গীতা! বিভাৰ ঘৰলৈ যোৱা দেখি মনত অলপ 'কিন্তু' ৰাখিছিল—আৰু সিফালে নায়াম বুলি কোৱাত যে অকপটে মোক আত্মদান কৰিবলৈ প্ৰস্তুত হৈ আছে।

মোৰ ভোক পিয়াহ সকলো গুচিল। ককাইদেৱে মোক বুজাবৰ চেষ্টা কৰিলে—আমালোক ডেকাবিলাকে বিশেষ বিবেচনা কৰা উচিত যে, শিক্ষা-দীক্ষাৰ লগত স্বদেশপ্ৰীতি—দেশাত্মবোধ আদি বাঢ়ি যোৱা উচিত নহলে কিহৰ শিক্ষা? নিজৰ অৱস্থাৰ উন্নতিৰ লগত দেশৰ ছোৱালীৰ পাণি গ্ৰহণ কৰি অৰ্থাৎ তাইহঁতৰ ভাৰ বিশেষৰূপে বহন কৰি—তাইহঁতৰো শিক্ষা-দীক্ষা, আৰ্থিক, শাৰীৰিক, মানসিক, নৈতিক প্ৰভৃতি সকলো বিধৰ উন্নতিৰ দিহা কৰিব লাগে। নহলে তোমাৰ নিচিনা যদি আন আন শিক্ষিত ডেকাইও এই আদৰ্শ লৈ বিদেশী ছোৱালীক সঙ্গিনী কৰিবলৈ ওলায়, তেনেহলে দেশৰ ছোৱালী বাই-ভনীসকল কি অকল মূৰ্খৰ হাতত পৰি দুখ বৰণ কৰিবৰ বাবে থাকিব? তোমাৰ নিজৰো ভনীয়েৰা আছে। তাইৰ কথা ভাবি চোৱাচোন। এই কাৰণে এনে প্ৰণয় নিতান্ত অবৈধ্য। যাৰ লগত দেশৰ কোনো সম্পৰ্ক নাই—দেশৰ কৃষ্টি, দেশৰ সাধনাৰ লগত যাৰ কোনো কালে কোনো সহানুভূতি নাথাকিব। ভাবি চোৱা দেশৰ ছোৱালীবিলাকেও যদি এই আদৰ্শকে গ্ৰহণ কৰে তেনেহলে কি ভীষণ কাণ্ড হব, শিক্ষিত বা শিক্ষিতা হলেই দেশৰ লগত সকলো সম্পৰ্ক এৰিব ধৰে যদি? কামনাৰ তৃপ্তি বা আত্মসুখেই বিয়াৰ একমাত্ৰ উদ্দেশ্য নহয়। ইংৰাজী 'মেৰেজ' (Marriage) আৰু আমাঁৰ বিবাহৰ ভাবাৰ্থ একে হলেও উদ্দেশ্যত প্ৰকৃত অৰ্থ একে নহয়। যাওক বাৰু সিবোৰ ডাঙৰ ডাঙৰ কথা। ধৰা বিদেশিনী এজনীক বিয়া কৰাৰ পাছত তোমাৰ ল'ৰা-ছোৱালী নহল বা নাথাকিল; তেতিয়া সম্পত্তি ৰক্ষাৰ কাৰণে বা বিশ্বাস হলে পিণ্ডদানৰ বাবে সকলোৱে যি কৰে তুমিও সেই পোষ্যপুত্ৰ গ্ৰহণৰ আদেশ তোমাৰ ঘৈণীয়েৰাক দি গলা; তেওঁ কি কৰিব? আন আন তিৰোতাই যি কৰে। নিজৰ ভাই ককাইৰ বা বাই-ভনীয়েকৰ পুতেকক আনি পুত্ৰেষ্টি যজ্ঞ কৰিব? পোষ্যপুত্ৰ আপোন হয় কেইজনৰ? আৰু হলেই বা যেনে তেনে তোমাৰ সঞ্চিত সম্পত্তিখিনি বিদেশীৰ হাতত গৈ পৰিব; গিৰিয়েকৰ আপোন মানুহৰ ঘৰৰ কোনো ল'ৰাক লবৰ আদেশ থাকিলে নানা ছল চাতুৰি কৰি বিদেশিনীয়ে পোষ্যকে লব। এইবোৰৰ কাৰণে—বিদেশীৰ লগত 'মেট্ৰিমনিয়েল্ কানেক্শ্যন্' (বিবাহদ্বাৰা সম্বন্ধ স্থাপন) হব লাগে বুলি বহুতে যে চিয়ঁৰিছে তেওঁলোকৰ কথাৰ সাৰ্থকতা বুজি নাপাওঁ। বৰং এই সম্বন্ধ (matrimonial connection) স্থাপন হব লাগে দেশৰ ভিতৰতে নানা জাতি নানা সমাজৰ মাজত, যিসকলৰ লগত কি জাতীয়তাৰ (national) কালৰপৰা, কি আন বিষয়ত একেটা স্বাৰ্থ। বুজিছা, এতিয়া কিয় অবৈধ?"

এই উপদেশে তেতিয়া মোৰ মানসিক অৱস্থাৰ পৰিৱৰ্ত্তন ঘটাব পাৰক বা নোৱাৰক চিন্তিয়া বাঢ়িল আইতাৰ কথা শুনি। চিঠি পোৱাৰপৰাই তেওঁ ভাত পানীকে এবিছে বোলে। বঙালনীয়ে কিবা মন্ত্ৰ কৰিছে ভাবি।

২৩

হোষ্টেলত আজি মোৰ সম্বন্ধে মহা আলোচনা সমালোচনা চলিবলৈ ধৰিলে। এদলে কব ধৰিলে গীতাক ত্যাগ কৰা মোৰ পক্ষে একোতে উচিত নহয়—ইমান দূৰলৈকে আগ বাঢ়িছোঁ যেতিয়া; আন দলে উপদেশ দিলে মোৰ দেশী বাগদত্তা কন্যাক এবিলে মহাপাতক কৰা হব। তীৰ্থ বকৰাই হাঁহি হাঁহি কলে—"জাত যদি দিবাই ধৰ্ম্মান্তৰ যদি গ্ৰহণ কৰিবাই তেনেহলে—ইছলাম ধৰ্ম্মকে গ্ৰহণ নকৰা কিয়? ভাত ইহ কালৰ নিমিত্তে যে এটা সুব্যৱস্থা হৈ যাব তাত কোনো সন্দেহ নাই। পৰকাল—তাকনো কোন ধৰ্ম্মাবলম্বীৰ কেইজনে মানিছে? একালত খৃষ্টান হলেও বোলে বিশেষ সুবিধা হৈছিল; কিন্তু সেই সমাজৰ দিন আজ নাই বুলিলেই হয়।"

কথা শুনি এনে অৱস্থাতো মোৰ হাঁহি নোলোৱাকৈ নাথাকিল। মই কি কিবা সুবিধা ভোগৰ বাবে আন সমাজলৈ যাব খুজিছোঁ?—কোনেও মোৰ মনেদি বিষয়টো ভাবি চাব নোখোজে। এওঁলোকৰ সহানুভূতিৰপৰা মনৰ আলা বাঢ়েহে। তীৰ্থ বকৰাই হাঁহি আকৌ কব ধৰিলে—"স্বাৰ্থৰ নিমিত্তে যিহকে কৰা তাত আমি বেয়া নাপাওঁ, বেয়া পাবলৈ একো নাইও; কিন্তু অকল এজনী গাভৰু ছোৱালীৰ কাৰণে যদি দেশ, সমাজ, জাতি, ধৰ্ম্ম, আত্মীয়, কুটুম, পিতৃ, মাতৃ আদি এবিব লাগে তাৰ সমান মূৰ্খ জগতত নাই বুলি জানিম।"

এওঁলোকৰ লগত বাদ-প্ৰতিবাদ বৃথা গতিকে ইচ্ছাত বা অনিচ্ছাত শুনি যাবলৈ ধৰিলো। প্ৰেম অৰ্থাৎ ভাল পোৱা ব্যাধিত নোভোগা মানুহ নিচেই তাকৰ, এতেকে ইয়াৰ বাধা-আপত্তিত যে প্ৰাণঘাতী মানসিক কষ্ট তাকো বহুতে ভুগিছে নিশ্চয়। কিন্তু আচৰিত এয়ে যে আন প্ৰেমিক-প্ৰেমিকাৰ মানসিক দুঃখ কষ্ট দেখিলে কোনেও আন্তৰিক সহানুভূতি নেদেখুৱায়! বৰং তাৰ সলনি হাঁহেহে। কেইজনমান ডেকাই ধেমালি কবি এখন কাকত আনি কিবা কিবি নাম লিখি, মোক দেখুৱাই কব ধৰিলে—"চাওক, আপোনাৰ 'ভিনিঅলজিকেল্ টেব্‌ল্' (বংশ তালিকা) তৈয়াৰ কৰা হৈছে। আপুনি আৰু কষ্ট কবি সংগ্ৰহ কৰিব নালাগিব। আপুনি ইণাৰ পৰা আছিছে। আপোনাৰ নাম—মৌলবি জেলাবুদ্দিন ইবাণী। পূৰ্ব্ব পুৰুষৰ নামবিলাক পচি চাওক।

মিছা বংশ তালিকা সজোৱা বহুতাৰ অভ্যাস আছে। সেই বুলি মোৰ লগত তেঁনে ধেমালি ভাল নালাগে। তেওঁ লোকৰ উপদ্ৰবত মোৰ খং উঠিব ধৰিছিল, কিন্তু খং দেখুৱালে আৰু ৰক্ষা নাথাকিব—মোক বলিয়া কবি তুলিব। পিছে মইও সিহঁতৰ দুৰ্ব্বলতা জানি হাঁহি কলো—"ইবাণৰ পৰা অহা আৰু বাজপুতনা বা পাঞ্জাবৰপৰা অহা প্ৰায় একে কথা। কাজু কুজবপৰা অহাটোৱেই নেকি? পাৰ্থক্য কেৱল এজনে পিন্ধে মুৰত বঙা দীঘল টুপি আন জনে পিন্ধে ডিঙিত কেইডালমান "কণাছিস্থতা।"

এই কথাত আক্ৰমণৰ সোঁত আনফালে গল। নবীন শৰ্ম্মাই মিছিকিয়াই হাঁহি বংশ-তালিকা সজা দলৰ প্ৰধান ধীবেশ্বৰ সিংহ বকৰাক অলপ বিদ্ৰূপেৰে সুধিলে—"আপোনাৰ ডিঙিত কণাছি স্থতা আছেনে কি?"

সকলোৱে জানে ধীবেশ্বৰ সিংহ বকৰা ব্ৰাহ্মণ নহয় শূদ্ৰ। কিন্তু নতুন আন্দোলনত সংস্কাৰ হৈ লওন বৈছিল—ক্ষত্ৰিয় নাম লৈ। আৰু নামৰ লগত যোগ হৈছে সিংহ শব্দটো।

তাত আমাৰ কবলৈ একো নাছিল; কিন্তু শৰ্ম্মাইতে মনে মনে ৰব বেয়া পাইছিল। বোধকৰো নিজৰ বিশেষত্ব হেৰুৱাব ধৰিছে বুলি। সি যিয়ে নহক ধীবেশ্বৰ সিংহ বকৰাই গঠীন হৈ উত্তৰ দিলে—"নিশ্চয় আছে। আপোনাৰ থাকিব পাৰে, আমাৰ থাকিব নোৱাৰে?"

নবীন।—"সেই কথা নহব। ব্ৰাহ্মণৰ উপবীত নাথাকিলে জাত যায়। এই সূতা কেইডাল থকাৰ কাৰণে আমৰ মুৰত ভবিৰ ধূলা দি পেটৰ ভাত মোকলাইছে। আৰু আপোনাৰ?"

কথা আগ বাঢ়িব নোৱাৰিলে, ডাক পিয়নক দেখি সভা ভঙ্গ হল। —আৰু আছে—

যুদ্ধৰ পথত ইটালি আৰু এবিছিনিয়া

(২)

—শ্ৰীযুত সুবেন্দ্ৰনাথ বৰুৱা বি-এ

অন্যান্য শক্তিবৰ্গৰ স্বাৰ্থ

যদি ইটালিয়ে এবিছিনিয়া অধিকাৰ কৰে তেনেহলে আন আন শক্তিসমূহৰ স্বাৰ্থৰ কি হানি বা আঘাত হব এই বিষয়ে অলপ আলোচনাৰ প্ৰয়োজন। প্ৰথমতে ৰুটিছৰ কথাকে ধৰা যাওক। যেতিয়াবেপৰা এবিছিনিয়াৰ প্ৰতি ইটালিৰ বিৰোধ ঘনীভূত হৈ আছিছে আৰু এই কথা মুছলিনিৰ উক্তি আৰু কাৰ্য্যৱলীৰ দ্বাৰা স্পষ্টকৈ প্ৰকাশ হৈছে তেতিয়াবেপৰা ৰুটিছ ৰাজনীতিকসকলৰ মনৰ চিন্তা



'ডিউচ মাৰ্শেল' বেশেৰে এবিছিনিয়াৰ সম্ৰাট—এবিছিনিয়াৰ পাৰ্লামেণ্টত বিদেশী আক্ৰমণ কাৰীৰ বিৰুদ্ধে সমবেত হবলৈ বক্তৃতা দিয়াৰ সময়ত।

আৰু উৎকণ্ঠা বাঢ়িবলৈ ধৰিছে। প্ৰথমতে মুছলিনিৰ পিঠিত হাত চপৰিয়াই আৰু দ্বিতীয়তে এই নীতি ব্যৰ্থ হোৱাত ভীতি প্ৰদৰ্শন কৰি মুছলিনিৰ কাৰ্য্যত বাধা জন্মাবলৈ ৰুটিছে চেষ্টা কৰিছে। অইনকি এবাৰ আফ্ৰিকাত থকা ৰুটিছ ছোমালিলেণ্ডৰ এডোখৰ ঠাই



এবিছিনিয়াৰ ওচৰত ইটালিৰ থকাত থকা ঠাই আৰু এবিছিনিয়াৰ মানচিত্ৰ।

এবিছিনিয়াৰ সম্ৰাটক দি তাৰ সলনি এবিছিনিয়াৰ অন্য এক খণ্ড মাটি সম্ৰাটে মুছলিনিক এৰি দিবলৈ জাতিসঙ্ঘ সম্পৰ্কীয় ৰুটিছ মন্ত্ৰী মিঃ এঠনি ইডেনৰ হস্তুৰাই মুছলিনিৰ ওচৰত প্ৰস্তাৱো দাঙি ধৰা হৈছিল। কিন্তু টেঙৰ মুছলিনিয়ে ৰুটিছৰ এই প্ৰস্তাৱত সমূলি সন্তুষ্ট নহৈ উক্ত প্ৰস্তাৱ প্ৰত্যাখান কৰিলে। এবিছিনিয়াৰ প্ৰতি ৰুটিছৰ ইমান শ্ৰীতিভাব হোৱাৰ কাৰণ কি? নৈসৰ্গিক স্নেহত আকৃষ্ট হৈ নাইবা মহানুভৱতা আৰু ঔদাৰ্য্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ আজি ৰুটিছ গভৰ্ণমেণ্টে ইটালিৰ বিৰুদ্ধাচৰণ

কৰি এবিছিনিয়াৰ স্বাধীনতা ৰক্ষা কৰিবলৈ উদ্যত হৈছেনে, নাইবা অপৰিহাৰ্য্য কিছুমান স্বাৰ্থত জড়িত হৈহে তেওঁলোকে ইটালিৰ বিপক্ষে এই অভিযান কৰিছে?



মগডিছু নামৰ ঠাইত নতুনকৈ স্থাপন কৰা ফেছছিষ্ট ক্লাব। আজি কেমাহমানৰ আগতে ইটালিৰ ৰজা আফ্ৰিকাৰ ইটালিয়ান ছোমালিলেণ্ডলৈ যোৱাৰ সময়ত সেই ক্লাব পৰিদৰ্শন কৰিবলৈ যোৱাৰ সময়ৰ দৃশ্য।



এবিছিনিয়া শিল্প সম্পদৰ এটি নমুনা।

এই প্ৰশ্নৰ উত্তৰ দিবলৈ হলে বৃটিছৰ বৰ্ত্তমান পৰৰাষ্ট্ৰ নীতিৰ বিষয়ে অলপ আলোচনাৰ আৱশ্যক।

বৃটিছ গভৰ্ণমেণ্টৰ আধুনিক পৰৰাষ্ট্ৰ নীতি আত্মৰক্ষা নীতিৰ (Defensive policy) ওপৰত প্ৰতিষ্ঠিত।



এডিছ আবাবাৰপৰা জেন্স ছোমালিলেণ্ডলৈ যোৱা ৰেল গাৰী। এই গাৰীত উঠি যোৱা ওপৰ শ্ৰেণীৰ বিদেশী সকলৰ ওচৰত মগনীয়া কিছুমানে সহায় বিচাৰিছে।

আজিকালি তেওঁলোকে দুৰ্ব্বল বা অসভ্য জাতিক আক্ৰমণ কৰি কিছুমান নতুন দেশ জয় কৰিবলৈ ইচ্ছা নকৰে। আগতেই যিবিলাক দেশ অধিকাৰ কৰিলে সেয়ে তেওঁলোকৰ যথেষ্ট; তাকে নিৰ্ব্বিঘ্নে আৰু নিৰাপদে চলাই কৰি খাব পাৰিলেই হল। কাৰণ তেওঁলোকে বঢ়িয়াকৈ জানে যে বৰকৈ গাল মাৰিলে মুখ ফটাৰ সম্ভাৱনা। আৰু তেওঁলোকে এইটোও ভালকৈ বুজিছে যে পৰৰাষ্ট্ৰীয় কোনো কথাত যদি তেওঁলোকে কিবা মাৰাত্মক ভুল-চুক কৰে তেনেহলে হয়তো তাৰ ফলত তেওঁলোকৰ গোটেই সাম্ৰাজ্য ভূমিকম্পত ইটাৰ দালান ভগাৰ দৰে ভাগি চুৰমাৰ হব পাৰে। সেইদেখি আজিকালি বৃটিছ গভৰ্ণমেণ্টে পৰৰাষ্ট্ৰ নীতি সম্পাদন কৰোতে বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ আৱশ্যক হৈ পৰিছে। নতুন কিছুমান দেশ জয় কৰি সাম্ৰাজ্যৰ কলেৱৰ বৃদ্ধি কৰিবলৈ বৃটিছৰ যেনেকৈ আজিকালি বাঞ্ছা নাই সেইদৰে অলপ আয়াসতেই হওক বা হাড়ক মাটি তেজক পানী কৰিয়েই হওক প্ৰতিষ্ঠা কৰা বৃটিছ সাম্ৰাজ্যৰ কোনো এক খণ্ড ৰাজ্যও আন শক্তিক এৰি দিবলৈ তেওঁলোকৰ ইচ্ছা নাই। অকল এয়ে নহয়। এই সসাগৰা পৃথিবীত বৃটিছৰ প্ৰাধান্য যাতে এক বিন্দুও হ্ৰাস নহয় তাৰ প্ৰতিও তেওঁলোকৰ তীক্ষ্ণ দৃষ্টিপাত। তাৰ উপৰিও আন কোনো শক্তিয়ে নিজৰ বল-শক্তি বৃদ্ধি কৰি সাম্ৰাজ্য বিস্তাৰৰ মতলব কৰাও বৃটিছে সহিব নোৱাৰে।

জানোচা এই শক্তিবিলাকে মুৰ দাঙি উঠি চিলনিয়ে থাপ মৰাদি বৃটিছৰ উপনিবেশ থাপ মাৰি লৈ গৈ তেওঁলোকৰ প্ৰাধান্যত ব্যাঘাত জন্মায় এয়ে বৃটিছৰ ভয়। প্ৰধানতঃ এই একেটা কাৰণতেই যোৱা জাৰ্ম্মেন যুদ্ধত



মুছলিনিৰ এখন বিৰাট ছবি। এই ছবিখন নেপল্‌ছৰপৰা পূব আফ্ৰিকালৈ ইটালিয়ান সৈন্যক কঢ়িয়াই নিয়া এখন সমুদ্ৰ জাহাজত এবিছিনিয়াৰ বিৰুদ্ধে সৈন্য বিলাকক অনুপ্ৰেৰণা দিবলৈ আঁৰি দিয়া হৈছে।

ইংৰাজে যোগদান কৰিছিল। এতিয়া ইটালিয়ে এবিছিনিয়া জয় কৰিলে বৃটিছৰ স্বাৰ্থত আঘাত পৰাৰ বিশেষ সম্ভাৱনা আছে। সেইদেখিয়েই ইটালিক প্ৰতিৰোধ কৰিবলৈ তেওঁলোকে নিদ্ৰা অৱসৰ পৰিহাৰ কৰি খৰধৰ লগাইছে। এবিছিনিয়া তথা পূব আফ্ৰিকাত বৃটিছৰ কি কি স্বাৰ্থ আছে তাক আমি এতিয়া জুকিয়াই চাওঁ।

বৃটিছৰ প্ৰথম স্বাৰ্থ হৈছে নাইল নদীৰ জল-প্ৰৱাহ। এই নাইল নদীখনৰ পানীৰ যোগান ধৰিছে মধ্য আফ্ৰিকাত থকা ভিক্টৰিয়া, এলবাৰ্ট আৰু এলবাৰ্ট নিয়েঞ্জা নামক হ্ৰদবিলাকে আৰু অন্য ফালৰপৰা এবিছিনিয়াত থকা টানা হ্ৰদে। ভিক্টৰিয়া, এলবাৰ্ট আদি হ্ৰদৰপৰা বোৱা জল-প্ৰৱাহৰ নাম হোৱাইট বা বগা নাইল আৰু টানা হ্ৰদৰপৰা ওলোৱা জলভাগৰ নাম ব্লু বা নীল নাইল। এই দুই জল-প্ৰৱাহ গৈ এবিছিনিয়াৰ উত্তৰ-পশ্চিমে থকা বৃটিছৰ অধিকৃত বৰ্ত্তমান স্বায়ত্ত শাসন লাভ কৰা ইজিপ্টৰ খাৰ্টুম নামে ঠাইত মিলিত হৈছে। বাৰিষা এই নাইল নদীত ঢলনি হৈ বিশেষকৈ ব্লু নাইলৰ পানী বাঢ়ি ইজিপ্টত



আফ্ৰিকাৰ ইটালিয়ান ছোমালিলেণ্ডত এবিছিনিয়াৰ বিৰুদ্ধে ভাবী সংগ্ৰামৰ কাৰণে সৈন্যবিলাকে এটা মটৰ ৰাস্তা নিৰ্ম্মাণ কৰিছে।

আৰু এবিছিনিয়াৰ পশ্চিম ফালে ঠিক গাতে গা লাগি থকা বৃটিছ উপনিবেশ ছুডানত পানী উপচি পৰে আৰু দুয়োখন দেশ সাৰুৱা কৰি খেতিৰ উপযোগী কৰি তোলে। এই ব্লু নাইলৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিয়েই ছুডানৰ



ইটালিয়ান ছোমালিলেণ্ডত এটা ক্লান্ত বনুৱাৰ দলে ভবিষ্যতৰ কাৰণে পানী জমা ৰখাৰ ব্যৱস্থা কৰিছে।

আধা কোটি আৰু মিছৰ বা ইজিপ্টৰ ডেৰ কোটি মানুহৰ জীৱিকা নিৰ্ব্বাহ সম্ভৱপৰ হৈছে। যদি কোনোবাই

এবিছিনিয়া আক্রমণ কৰি টানা হ্রদ নিজৰ কৰ্ত্তৃত্বাধীনলৈ আনে আৰু তাৰপৰা বৈ যোৱা ব্লু নদীৰ জল-প্রপাহৰ ওপৰত মথাউৰি মাৰি সেই পানীভাগ নিজৰ আৰু ছুডানলৈ



ইটালিয়ান ছোমালিলেণ্ডৰ বেইডোৱা নামে ঠাইত ৰাইটীয়া শিকলিৰ এটা দৃশ্য।

বৈ যাবলৈ বন্ধ কৰি দিয়ে তেনেহলে উক্ত দুই দেশৰ মানুহবিলাকৰ খিৱে-খিৱে মৰণ হব আৰু তাৰ ৎগে লগে বৃটিছবো মহান ক্ষতি হব। প্রায় ৩৭ বছৰৰ আগেয়ে লৰ্ড কিচেনাৰে যেতিয়া ছুডান দেশ জয় কৰে তেতিয়া এই ব্লু নাইলৰ পানী লৈয়ে ইংৰাজ আৰু ফৰাচীৰ মাজত যুদ্ধ হবৰ উপক্রম হৈছিল। বৰ্ত্তমান ইটালিয়ে এবিছিনিয়া অধিকাৰ কৰিব পাৰিলে এই টানা হ্রদৰ পানীভাগ নিজৰ কৰ্ত্তৃত্বলৈ আনি ইংৰাজক অৰ্থনৈতিক আদি সকলো সুবিধাৰপৰা বঞ্চিত কৰে বুলি তেওঁলোকৰ প্রধান ভয়ৰ কাৰণ হৈ উঠিছে। এবিছিনিয়াৰ হাতত এই হ্রদ থাকিলে ইংৰাজৰ কোনো ভয়ৰ কাৰণ নাথাকে। কিয়নো এবিছিনিয়াৰ দৰে এটা তৃতীয় শ্রেণীৰ শক্তিক হাতৰ মুঠিত ৰাখিব পাৰিম বুলি ইংৰাজৰ বিশ্বাস আছে। কিন্তু ইটালিৰ নিচিনা এটা প্রধান শক্তিৰ হাতত টানা হ্রদৰ তাৰ এৰি দিবলৈ ইংৰাজ নাৰাজ।

ইংৰাজে এবিছিনিয়াক সহায় কৰা আৰু ইটালিৰ বিৰুদ্ধে থিয় হোৱাৰ দ্বিতীয় আৰু প্রধান কাৰণ হৈছে পুৰ আফ্রিকাত বৃটিছ প্রাধান্যৰ হ্রাস হয় বুলি। এবিছিনিয়াৰ ঠিক ওচৰে-পাজৰে ইংৰাজৰ কেইবাখনো উপনিবেশ আছে; যেনে বৃটিছ ছোমালিলেণ্ড, কেনিয়া, ছুডান, উগাণ্ডা আৰু মিছৰ। এই এবিছিনিয়াৰে গাতেই গা লগাই উত্তৰ পিনে ইৰিট্ৰিয়া আৰু দক্ষিণ-পুব পিনে ইটালিয়ান ছোমালিলেণ্ড নামেৰে ইটালিৰো দুখন উপনিবেশ অৱস্থিত। ইটালিয়ে যদি এই দুখন উপনিবেশৰ লগত এবিছিনিয়াক লগ লগাই লব পাৰে তেন্তে আফ্রিকাত ইটালিয়ে প্রভূত প্রতিপত্তি আৰু ক্ষমতা লাভ কৰিব পাৰিব। পুৰ আফ্রিকাত থকা নিজৰ পাম কেইখনলৈ অহা-যোৱা কৰিবলৈ হলে ইটালিৰ একমাত্র জল-পথ হব লোহিত সাগৰ। সেইদেখি এই সাগৰখনত ইটালিয়ে কিছুমান চিৰস্থায়ী সমুদ্র জাহাজ বথাৰ আৱশ্যক হৈ পৰিব। কিন্তু প্রাচানীতি বজাই ৰাখিবলৈ লোহিত সাগৰখন লৈয়ে বৃটিছবো জীৱন-মৰণ সমস্যা। ভবিষ্যতে যদি ইংলণ্ড আৰু ইটালিৰ মাজত কেনেবাকৈ বিৰোধ হয় তেন্তে হয়তো লোহিত



এবিছিনিয়াৰ নতুন আৰু পুৰণি ধৰণেৰে শিক্ষিত সৈন্যৰ সংমিশ্রণ

আৰু ভূমধ্য সাগৰত থকা ইটালিৰ সমুদ্র জাহাজে বৃটিছক বাধা দিব পাৰে। ইপিনে প্রাচ্যত বৃটিছৰ দায়িত্বও

ৰ বেছি। কাৰণ এছিয়াত থকা ভাৰতবৰ্ষ, ছিঙাপুৰ, হংকং আদি পাম কিথন ৰক্ষা কৰাৰ ভাৰ ইংৰাজৰ ওপৰত। পুৰ আফ্রিকাত ইটালিৰ প্রাধান্য বাঢ়িলে এছিয়াতো



এবিছিনিয়া সম্রাটৰ জন্মদিন উৎসৱ উপলক্ষে এডিছ আবাবাত ফৰাছী মন্ত্রীৰ পদার্পণ।

আছিলৈ হয়তো বৃটিছৰ মুখা মৰিব পাৰে, আৰু ইটালিয়ে হয়তো প্রাচ্যত থকা ইংৰাজৰ পাম কিথনলৈও মুখ মেলিব পাৰে। সেইদেখি ইটালিয়ে এবিছিনিয়া গ্রাস কৰাত ইংৰাজ সম্পূর্ণ নাৰাজ।

তৃতীয় কাৰণ, হৈছে বৃটিছৰ জার্ম্মেন-ভীতি। যদি মুছলিনিয়ে এবিছিনিয়া জয় কৰি নিজৰ তলতীয়া কৰিব পাৰে তেন্তে তেওঁৰ অনুকৰণ কৰিছেই হাৰ হিটলাৰেও মহাসমৰত হেকৰা আফ্রিকাত থকা জার্ম্মেন উপনিবেশ কেইখন পুনৰ উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব। পুৰ আফ্রিকাত থকা টাঙ্গানিকা নামৰ বৰ্ত্তমান বৃটিছ আজ্ঞাধীন ৰাজ্যখন এসময়ত জার্ম্মানিৰ উপনিবেশ আছিল। এই ৰাজ্যখন পুনৰ নিজ হাতলৈ অনিবলৈ নাজী জার্ম্মেনিয়ে তলে তলে কাৰবাৰ কৰিছেই বোলে। কিন্তু মুছলিনিৰ এবিছিনিয়া অভিযান যদি ব্যর্থ হয় তেন্তে হিটলাৰে এই কাম হাতত লবলৈ টান পাব। সেইদেখি ঘটনাৰ দোত বেছি দূৰ আগ বাঢ়িবলৈ নৌ দিওঁতেই মুছলিনিক ইমানতে দমোৱাৰ আৱশ্যক হৈছে।

পুৰ আফ্রিকাত স্বার্থ থকা বৃটিছৰ বাহিৰে অন্যান্য জাতিবিলাকৰ ভিতৰত ফ্রান্স আৰু জাপানকে প্রধান বুলিব পাৰি। ৰাজনৈতিক ফালৰপৰা ফ্রান্সৰ ভয় হৈছে এবিছিনিয়াৰ পুৰ পিনে থকা ফ্রেঞ্চ ছোমালিলেণ্ডখন লৈ। জানোচা ইটালিয়ে ফ্রান্সৰ এই উপনিবেশখনতো হাত দিয়ে। কিন্তু ইটালি আৰু ফ্রান্সৰ মাজত যি সৌহার্দ্দ ভাব আছে তালৈ চাই ফ্রান্সৰ এই ভয় সমূলি অমূলক। অৱশ্যে বৃটিছ কূটনীতিৰ পাক-চক্রত পৰিহে ফ্রান্সে ইটালিক কোমলভাৱে বাধা জন্মাবলৈ কিছুপৰ প্রয়াস পাইছে।

জাপানৰ ব্লেক ড্রেগন ছোছাইটিয়ে (The Black Dragon Society) কিছুদিনৰ আগতে "এবিছিনিয়াৰপৰা হাত আতৰাই নিয়া" ("Hands off Abissynia") বুলি ইটালিক এটা ধমধমনি দিছিল। জাপানৰ আপত্তিৰ প্রধান কাৰণ হৈছে দুটা। প্রথমতে, এবিছিনিয়া ইটালিৰ হস্তগত হলে জাপানে এবিছিনিয়াত এতিয়াৰ দৰে বেপাৰ-বাণিজ্য কৰিবলৈ স্বাধীনতা নাপায়। দ্বিতীয়তে, কৃষ্ণ আৰু পীত বৰণীয়া জাতিবিলাকৰ প্রতি জাপানৰ এটা স্বাভাৱিক আকর্ষণ আছে। এই জাতিবিলাক যাতে শ্বেতাঙ্গসকলৰ হাতত লাঞ্ছিত আৰু প্রপীড়িত হব নোৱাৰে তাৰ বাবে জাপানে নিজৰ এটা দায়িত্ব আছে বুলি ভাবে। কিন্তু বৰ্ত্তমান জাপানে এবিছিনিয়া সমস্যা সম্পর্কে এটা



সম্রাটক অভ্যর্থনা জনাবলৈ বৃটিছ মন্ত্রীৰ মটৰ যোগে আগমন

নাটকীয় মৌনতা অৱলম্বন কৰাৰ একো বহস্ত বুজা নাযায়।

ইয়াৰ উপৰিও দুই চাৰিটা সৰু-সুৰা জাতিয়ে বৃটেইনৰ নীতি সমৰ্থন কৰিছে। আমেৰিকাৰ যুক্ত প্ৰদেশে ছ মাহলৈ যুদ্ধ সম্পৰ্কীয় কোনো কথাতে হস্তক্ষেপ নকৰিবলৈ মধ্যস্থতা নীতি অৱলম্বন কৰি অলপতে এখন আইন পাছ কৰিছে। ছভিয়েট ৰাছিয়া আৰু দক্ষিণ আফ্ৰিকাৰ প্ৰতিনিধিসকলেও যোৱা জেনেভা সভাত জাতিসঙ্ঘৰ নীতি মানি চলিবলৈ নিজ নিজ বক্তব্য প্ৰকাশ কৰি গাত লৈছে।

বৃটেইনৰ তৎপৰতা

ওপৰৰ কথাৰপৰা বুজা গল যে আন জাতিবিলাকতকৈ পূব আফ্ৰিকাত বৃটেইনৰ স্বাৰ্থ অতি বেছি। সেইদেখি বৃটেইনে নিজৰ এই স্বাৰ্থ বজাই ৰাখিবলৈ বিশেষভাৱে তৎপৰ হবলগীয়া হৈছে। কিন্তু বৃটিছে পৃথিবীক দেখুৱাব খোজা নাই যে তেওঁলোকে কেৱল স্বাৰ্থৰ বা পেটৰ দায়ৰ কাৰণেই ভাবী সংগ্ৰামৰপৰা ইটালিক বিৰত কৰিবলৈ প্ৰস্তুত হৈছে। ইটালিৰ বিৰুদ্ধে তেওঁলোকৰ এই অভিযানৰ গুৰিতে হৈছে বোলে মহানুভৱতা, দুৰ্ব্বল জাতিৰ প্ৰতি পুতৌ আৰু জাতিসংঘৰ ওপৰত আৱস্থা আৰু



এবিছিনিয়াৰ সাত ফুট ওখ সেনাপতি ড্ৰাম মেজৰে সৈন্যবিলাকক ৰজাৰ জন্মদিন উৎসৱ উপলক্ষে ৰাজপ্ৰাসাদলৈ লৈ গৈছে।

প্ৰীতি! এবিছিনিয়াৰ দৰে এটা প্ৰাচীন জাতিৰ স্বাধীনতা হৰণৰ যি উপক্ৰম হৈছে এই কথা বৃটিছে কেনেকৈ সহিব? দুৰ্ব্বল জাতিক ৰক্ষা কৰা, পৰাধীন জাতিক স্বাধীনতাৰ বাটত আগুৱাই নিয়া আৰু পৃথিবীত শান্তি প্ৰতিষ্ঠা কৰা বৰ্ত্তমান বৃটিছৰ নীতি হৈ পৰিছে! বৃটেইনৰ পৰৰাষ্ট্ৰ সচিব ছাৰ ছেমুৱেল হ'ৰে সেই গুণেই সিদিনা জেনেভাত টেটু ফালি



এবিছিনিয়াৰ প্ৰধান সৈন্যাধ্যক্ষই ৰাজপ্ৰাসাদত প্ৰৱেশ কৰাৰ আগতে নিজৰ তৰোৱালখন ঠিক কৰি লৈছে। তেওঁৰ কাষতে সমৰ সচিব থিয় হৈ আছে।

চিঞৰি জাননি দিছে কেনেকৈ তেওঁ ভাৰত সচিব হৈ থাকোতে পৰাধীন ভাৰতক স্বায়ত্ব শাসন দিবলৈ বুলি পাৰ্লেমেণ্টত বিল পাছ কৰিলে! সেইদেখি আজি জাতিসংঘৰ দোহাই দি এবিছিনিয়াৰ স্বাধীনতা ৰক্ষা কৰিবলৈ বৃটিছৰ ৰজা-প্ৰজা, দা-ডাঙৰীয়া সকলো সাজু। অৱশ্যে আন্তৰ্জ্জাতিক ৰাজনীতি ক্ষেত্ৰত বৃটিছে উদাৰতা আৰু মহানুভৱতা মাজে সময়ে নেদেখুৱাকৈও থকা নাই। এই কথা আমি অস্বীকাৰ কৰিব নোৱাৰোঁ।

কিছুমান দিনৰ আগৰেপৰা বৃটিছ সাম্ৰাজ্য বিপদাপন্ন হয় বুলি ইংৰাজৰ পেটে পেটে বৰ আশঙ্কা হৈ আহিছে। পৃথিবীৰ ঘটনা-স্ৰোত কেতিয়া কোন্ পিনে বাগৰে তাৰ একো ইয়ত্তা নাই। বিৰুদ্ধগামী অৱস্থাসমূহ হাতৰ মুঠিত ৰাখিবলৈ হলে বৃটেইনৰ পৰৰাষ্ট্ৰ বিভাগটো উপযুক্ত ৰাজনীতিক নিয়োগ কৰি কটকটীয়া কৰি লব লাগিব। এই ভাবিয়েই যোৱা নতুন মন্ত্ৰী সভা গঠনত প্ৰধান মন্ত্ৰী মিঃ বল্‌ডুইনে বৈদেশিক বিভাগত টেঙৰ আৰু ধূৰ্ত্ত চাই দুজন মন্ত্ৰী নিযুক্ত কৰিলে। এজন মিঃ এণ্টনি ইডেন—এওঁ জাতিসংঘৰ নামত আৰু বাকী জন আমাৰে

ভূতপূৰ্ব্ব ভাৰত সচিব ছাৰ ছেমুৱেল হ'ৰ—এওঁ ছিধাছিধি পৰৰাষ্ট্ৰ সচিব হিছাপেই মকৰল হৈছে। এতিয়া



এবিছিনিয়াৰ মন্ত্ৰীসকলে সম্ৰাটৰ উৎসৱ উপলক্ষে ৰাজ প্ৰাসাদলৈ গমন কৰিছে।

আন্তৰ্জ্জাতিক কিবা সমস্যা উপস্থিত হলে মিঃ ইডেনক বৈদেশিক ভ্ৰমণত পঠিয়াই জড়িত থকা অন্যান্য জাতিৰ লগত কথাটো আপোছে মীমাংসা কৰিবলৈ বৃটিছ মন্ত্ৰীসভাই চেষ্টা কৰে। ইটালি এবিছিনিয়া সমস্যাৰ আৰম্ভৰেপৰা



ৰাজকীয় ছত্ৰৰ তলত এবিছিনিয়াৰ সম্ৰাট। হাত দাঙি থকা সৈন্যজনে ৰাজকীয় শপথ গ্ৰহণ কৰিছে।

আমি দেখি আহিছোঁ যে বৃটিছে এই আপোছে মীমাংসা কৰাৰ নীতি অৱলম্বন কৰি আহিছে। কিন্তু মুছলিনিয়ে তেওঁলোকৰ এই নীতি ব্যৰ্থ কৰি পেলাইছে। এবিছিনিয়াৰ ওপৰত অভিভাৱকত্ব কৰিবলৈ নাপালে মুছলিনিক এইবোৰে সন্তোষ দিব নোৱাৰে। তেনেহলে উপায়? উপায়—মুছলিনিক যেই কোনো ৰকমে বাধা দিব লাগিব। যেতিয়া শান্তিপূৰ্ণ আৰু বৈধ উপায়েৰে কাম সিজিবৰ সম্ভাৱনা নাই তেতিয়া হুমিয়াই আৰু ভয় দেখুৱাই হলেও ইটালিক বিৰত কৰিবই লাগিব। সেইদেখি এতিয়া বৃটিছে ইটালিৰ বিৰুদ্ধে ভাল বেয়া সকলো উপায় অৱলম্বন কৰিবলৈ বাধ্য হৈছে। অইনকি আৱশ্যক হলে ইটালিৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈকো আজি বৃটেইন সাজু।



এবিছিনিয়াৰ সম্ৰাটে সৈন্যবিলাক প্ৰদৰ্শন কৰিছে।

অকল শান্তি দূত হৈয়ে বা জেনেভাৰ জাতি সংঘ সভাত বক্তৃতা দিয়েই বৰ্ত্তমান বৃটেইন ক্ষান্ত হৈ থকা নাই। ইতিমধ্যে বৃটিছৰ যুদ্ধ জাহাজ মাল্টা, ইডেন আৰু আলেকজেন্দ্ৰিয়াত ভাবী সংগ্ৰামৰ কাৰণে প্ৰস্তুত হৈ আছেই। ইজিপ্টৰ বন্দৰ আলেকজেন্দ্ৰিয়া আৰু এব'কিৰ নামে ঠাইৰ ওপৰেদি ইংৰাজৰ আকাশীযান উৰি আসন্ন সমৰৰ কাৰণে অপেক্ষা কৰিব লাগিছে। অইনকি আমাৰ ভাৰতৰপৰাও এবিছিনিয়াত থকা ভাৰতীয় সকলক ৰক্ষা কৰিবৰ কাৰণে ভাৰতীয় সৈন্যক পূব আফ্ৰিকালৈ পঠিৱা হৈছে। ইয়াৰ উপৰিও ইটালিয়ে

যদি এবিসিনিয়াব বিরুদ্ধে যুদ্ধ ঘোষণা করে তেস্তে ইটালিক ছুই পানী নিষিদ্ধ করিবলৈ বৃটেইনে মনস্থ করিছে। ইটালিয়ান সৈন্যবিধাক্ষক খুব আফ্রিকালৈ যাবলৈ নিদিয়াকৈ ভূমধ্য আরু লোহিত সাগৰ লগ লগোৱা ছুৱেজ



এবিসিনিয়াব সম্রাটে সৈন্যবিধাক পরীক্ষা করি চাইছে। তেওঁৰ বাঁওফালে ১০ বছৰীয়া পুতেক ৰিয়ে ই আছে।

খালটো ইংবাজে বন্ধ করি দিব আরু ইটালিব বিরুদ্ধে অর্থনৈতিক ব্যৱস্থা (Sanctions) অৱলম্বন করিব। ইটালিলৈ কোনো বাণিজ্য দ্রব্য চালানি নকৰিব আরু বিপদত টকা পইছা ধাৰে লৈ সহায় পোৱাবপৰা ইটালি বঞ্চিত হব। কিন্তু ইটালিব নিচিনা এটা প্রথম শ্রেণীব শক্তিব বিরুদ্ধে বৃটেইনে অকলে এইবোৰ কাম করিবলৈ সাহ করিবনে? ইংবাজব গাত যথেষ্ট বল বীর্য্য থাকিলেও মূর্খব দবে জুহুত জাপ দি মরিবলৈ তেওঁলোক অকলে কেতিয়াও আগবাঢ়ি নাযায়। সেইদেখি ইংবাজে ফ্রান্স আরু জাতিসংঘব সাহায্য লব লগাত পৰিছে। যদি তেওঁলোকে অৱশেষত ফ্রান্সবপৰা সহায় পোৱাব আশা করিব নোৱাৰে আরু জাতিসংঘক যদি পঙ্গু দবে সহায় করিবলৈ অসমর্থ হয় তেস্তে তেওঁলোকে ইটালিব বিরুদ্ধে যুদ্ধ করা বা অন্য কোনো প্রকাৰে ইটালিক বাধা দিয়াব আশা পবিত্যাগ করিব। তেতিয়া সম্ভবতঃ বৃটেইন যুবোপব সম্পর্কবপৰা নিজে নিজে বাদ পবিব আরু বৈবাগীব ভাও ধবি নিজব উপনিবেশ কিখনকে লৈ টুক-টাককৈ খাই-লৈ থাকিবলৈ চেষ্টা করিব।

ইটালিব ক্ষোভ

বহুত দিনবপৰা ইটালিব এটা ক্ষোভ বৈ আছে। মুছলিনি ইটালিব অধিনায়ক হোৱাব পিছবপৰা এই ক্ষোভব মাত্রা আরু চবিছে। কাৰণ ইংলণ্ড, ফ্রান্স, জাপান আদিব নিচিনা বাষ্ট্রবিলাকৰ প্রত্যেকেই ডাঙৰ ডাঙৰ উপনিবেশ স্থাপন করি গোটেই পৃথিবীত সাম্রাজ্য বিস্তাব কবিছে। অইন কি হলেণ্ড, বেলজিয়াম আরু পর্টুগেলব নিচিনা সক সক বাষ্ট্র কেইখনবো উপনিবেশ নথকাকৈ থকা নাই। মাত্র ইটালিবহে উপনিবেশ বুলিবলৈ নিচেই কম। সেইদেখি মুছলিনিব মনত বব দুখ।

১৯০৫ আরু ১৯১৫ চনত যুবোপব ডাঙৰ ডাঙৰ শক্তিবিলাকৰ মাজত যিবা দুটি ত্রিতকৰা চুক্তি হৈছিল তাবো ইটালিয়ে ফলভোগ করিব নোৱাৰিলে। এই চুক্তিমতে তেওঁলোকে এথিয়া আরু আফ্রিকাব দেশবিলাক ভাগ বাটি লৈ ভোগ দখল করিব। কিন্তু ঠিক ইয়াব পিছতেই জার্ম্মেন যুদ্ধ আবম্ভ হৈ সকলো পণ্ড করিপেলালে। কিন্তু তথাপিও ফ্রান্স আরু ইংবাজব ভাগ আটুট থাকিল।



এবিসিনিয়াব সম্রাটে পালমেণ্টত বক্তৃতা দিছে—পবাধীন হোৱাৰকৈ মৃত্যু শ্রেয়ঃ।

কাৰণ তেওঁলোকে মহা সমবত জিকি বিজিত দেশ কেইখনব উপনিবেশ লাভ করিলে; মাথোন মাজতে বাকী বল ইটালি আরু বাছিয়া। বাছিয়াব ভাগত যদিও কমাস্তি নোপলধন পবিছিল তথাপি বাছিয়াব অন্তর্বিদ্রোহ হৈ

'জাব'ব পতন আরু সমাজতন্ত্র বাদব প্রবর্ত্তন হোৱাব কাবণে আরু তুবন্তো কামাল পাছাৰ অভ্যুদয়ব কাবণে সকলো বিফল হল। ইটালিবো সেই একেই গতি। তেতিয়া ইটালিয়ে নিজব ঘবখন ঠিক কবাত ব্যস্ত। জার্ম্মান যুদ্ধত যোগ দি ইটালিব প্রভূত ক্ষতি সাধন হৈছিল। সেইদেখি মুমূর্ষু ইটালিক পুনব জীবন দান কবাত তেতিয়া ছিনব মুছলিনিব নিচিনা নেতাসকলে আত্মনিয়োগ করিছিল। পিছতহে তেওঁলোকে দেখে যে যুদ্ধব লুট কবা বস্তুবে সকলোবে জোলোঙা ভবিল, মাথোন মাজতে ইটালিহে ফাকে ফাকে সাবিল। এই কাবণেও মুছলিনিব প্রাণত বব বেজাব আরু দুখ বৈ আছে।

যুদ্ধ অবশ্যম্ভাবী

ঘটনাব প্রবাহে হঠাৎ কেনি ঢাল লয় কোৱা টান যদিও বর্ত্তমান আন্তর্জ্জাতিক অবস্থাব গতিবৈ লক্ষ্য করি দৃঢ়ভাবে নৈতে কব পাবি যে সোনকালে নহঁক পলমে হলেও পৃথিবীত এখন ভাবী সংগ্রাম অনিবার্য্য। আরু এই যুদ্ধ এবিসিনিয়াক লৈয়ে আবম্ভ হব। যদি বৃটিছে ফ্রান্সব বা জাতিসংঘব সহায় লৈ অর্থনৈতিক ব্যৱস্থা অৱলম্বন করি ইটালিক ববকৈ চেপা দিয়ে তেস্তে ইটালিয়ে বাষ্ট্রসংঘ পবিত্যাগ করিব। আমেবিকাব যুক্তবাষ্ট্র, জার্ম্মেনি,



পালমেণ্টত বক্তৃতা দি ওগাই আহি সম্রাটে নিজব মতব ঘাবীত বহিছে।

জাপান আরু ইটালিব দবে চাবিটা প্রথম শ্রেণীব শক্তি বাষ্ট্রসংঘবপৰা বাদ পবিলে বাষ্ট্রসংঘ,সমূলি পঙ্গু হৈ পবিব আরু ইয়াব অস্তিত্ব সমূলি লোপ পাব। আন পিনে, জাতিসংঘ বর্জ্জন করি মুছলিনি হাত সাবটি বহি থকা বিধব মানুহো নহয়। তেওঁ জার্ম্মেনিব লগত এক যোগ হৈ উভয় বাষ্ট্রবে ছেবোৱা পাম কিখন বুতলিবলৈ আরু



এবিছিনিয়াব সম্রাট ১ম হেইলি ছিলেছি (বেছ টেফাবি)। গোটেই পৃথিবীব সভ্য জাতি সমূহব দৃষ্টি আছি সম্রাট ১ম হেইলি ছিলেছিব ওপবত। তেও ১৩০ম খৃষ্টাব্দত ইথিওপিয়াব সম্রাট হোৱাব পিছব যুগাই বাজাত বহু অনুষ্ঠান পছিমীয়া দবলে গঢ়ি তুলিবলৈ দৃঢ়ভাবে লাগি আছে—যদিও দেশব বর্ম্মাধাৰক আরু 'মরহা' সকলে বিবোধিতা নকবাকৈ থকা নাই। এবিছিনিয়াব পালমেণ্টো এই পবাকো সমাটেবে কৰ্ত্তৃ।

নিজব সাম্রাজ্য বিস্তাব করিবলৈ কাববাব লগাব। তাতে জার্ম্মেনিব অধিনায়ক হাব হিটলাব মুছলিনিব এজন "ছালা" বা শিষ্য। তেওঁ মুছলিনিব আদর্শব দ্বাবা সদায় অনুপ্রাণিত। অইনকি মুছলিনিব দুবিখন হিটলাবে নিজে আকি তেওঁব টেবুলব ওপবত থৈ সদায় ভক্তি করে। কোৱা বাহুল্য যে হিটলাবব নাজিজমব নীতি ইটালিব ফেছছিজম নীতিব ওপবত প্রতিষ্ঠিত। হাব হিটলাবে মুছলিনিব সাহায্য পাবলৈ সদায় উৎসুক; তাতে যদি মুছলিনিয়ে উপযাচি নিজব স্বার্থ সিদ্ধিব কাবণে সেই সাহায্য দিবলৈ প্রস্তুত হ'[illegible] হিটলাবক পায় কোনে? অৱশ্যে এবছবব আগতে [illegible] এই শুক্ল-

শিষ্য দুজনৰ মাজত কিছু মনোমালিন্য ঘটিছিল। তেওঁলোকে এতিয়া সামান্য উদ্দেশ্য (Common aim) সাধনত সকলো পাহৰি পেলাব। আৰু হয়তো মনৰ ক্ষোভত মুছলিনিয়ে হিটলাৰক অষ্ট্ৰিয়া সম্পৰ্কীয় বহুত কথাত



এবিছিনিয়াৰ উচ্চ বংশৰ এগৰাকী তিৰোতা ; সাধাৰণতঃ উচ্চ বংশৰ তিৰোতাবিলাকে এনে সাজ পিন্ধি বাহিৰ ওলায়।

স্বাধীনভাৱে কাম কৰিবলৈ দিব। কাৰণ প্ৰাণত এবাৰ বিদ্ৰোহৰ জুই জ্বলিলে মানুহে কৰিব নোৱাৰা কাম একো নাথাকে। মুছলিনি হিটলাৰে মন কৰিলে অষ্ট্ৰিয়াকো সহজে নিজৰ পক্ষলৈ আনিব পাৰিব। তাৰ উপৰিও জাৰ্ম্মেনিৰ লগত পলেণ্ডৰ উমৈহতীয়া সাহায্য প্ৰদানৰ এটি চুক্তিও আছে। তেনেহলে মধ্য য়ুৰোপৰ এই চাৰি শক্তি এবাৰ মিলি এক গোট হব পাৰিলে গোটেই য়ুৰোপক কম্পমান কৰি তুলিব পাৰে। তাতে হিটলাৰ মুছলিনিৰ মনৰ মতি-গতি বুজা বৰ টান। গৰজ বা আৱশ্যক হলে জাতি আৰু দেশৰ নামত দুয়োজনেই নিজৰ জাতীয় বন্ধু-বান্ধৱকো গুলীয়াই হত্যা কৰিব পাৰে আৰু দুয়োজনে তাকে কৰিছেও। তেনেস্থলত অপৰস্য কা কথা ? হিটলাৰৰ ধম্‌কিলৈ ভয় নকৰা জাতি আজি য়ুৰোপত নাই। যোৱা মহাসমৰ। জাৰ্ম্মেনিৰ যিবোৰ ধাৰ লাগিছিল আৰু ক্ষতিপূৰ্ণ সম্পৰ্কৰ্গীয়া হৈছিল সেই সকলোবোৰ হিটলাৰে এক আদেশত নিদিওঁ বুলি বন্ধ কৰি পেলালে। জেনেভাত নিৰস্ত্ৰীকৰণ কনফাৰেন্স হিটলাৰৰ কাৰণেই ভাগি থাকিল। ৰাষ্ট্ৰসংঘ পৰিত্যাগ কৰি ভাৰ্ছাই সন্ধি ভৰিৰে মোহাৰি জাৰ্ম্মেনিয়ে নিজৰ সৈন্যবল, সমুদ্ৰ জাহাজ, আকাশীযান আদি সকলো তিনি-চাৰিগুণে বৃদ্ধি কৰিলে। অথচ হিটলাৰৰ হাতত ধৰোতা কোনো নোলাল। ওপৰত কোৱা এই চাৰি জাতিৰ বা অকল ইটালি আৰু জাৰ্ম্মেনিৰ সন্মুখীন হবলৈ য়ুৰোপত কোনো জাতিয়ে সাহ নকৰিব। যদি কোনোবাই কৰেও তেনেহলে এই যুদ্ধ কেৱল তেওঁলোকৰ মাজতে আৱদ্ধ নাথাকিব ; ই গোটেই য়ুৰোপ তথা পৃথিবীতে বিয়পি পৰিব। সামান্য এবিছিনিয়াৰ সমস্যা লৈয়েই ১৯১৪ চনৰ দৰে হয়তো পুনৰ পৃথিবীত সমৰানল জ্বলি উঠিব।

কিন্তু ফ্ৰান্সে এনেকুৱা এটা অৱস্থা সৃষ্টি কৰাত সহায় কৰিব বুলি আশা কৰা যায়নে ? ফৰাছীসকলে জাৰ্ম্মেনিলৈ সদায় ভয় কৰি থাকে। এই দুই জাতিৰ মাজত অহিনকুল সম্বন্ধ। ১৮৭১ চনত বিছমাৰ্কে ফ্ৰান্স অধিকাৰ কৰি ফৰাছীসকলৰ ওপৰত যুদ্ধৰ ক্ষতিপূৰণ আদায় কৰিবলৈ যি কৰ-কাটল লগাই উৎপীড়ন কৰিছিল তাৰ প্ৰতিশোধ ফ্ৰান্সে যোৱা মহাসমৰত জাৰ্ম্মেনিৰ ওপৰত বাৰুকৈয়ে



ভালকেনীয়া নামৰ জাহাজেৰে ইটালিয়ান সেনা এবিছিনিয়াৰ ওচৰৰ ইটালিৰ দখলত থকা ৰাজ্যলৈ যাত্ৰা কৰিছে।

ললে। জাৰ্ম্মেনিৰ ওপৰত ভাৰ্ছাই সন্ধিত ফ্ৰান্স আৰু মিত্ৰ শক্তিৰ এই প্ৰতিশোধৰ ফল স্বৰূপেই

জাৰ্ম্মেনিত নাজিজম্ বা হিটলাৰিজম্‌ৰ জন্ম বুলি আজিকালি বহুতে ধাৰণা কৰে। ক্ষোভ আৰু বেজাৰত এবাৰ হিটলাৰে কৈছিল—"ফ্ৰান্সে আমাৰ সকলো নিলে। ট'কা নিলে, ধন-বস্তু নিলে, জাহাজ নিলে, আকাশীযান, ছাবমেৰিণ সকলোকে নিলে। কিন্তু আমাৰ ছাৰে ছয় কোটি জাৰ্ম্মেনক এতিয়াও নিব পৰা নাই।" আজি জাৰ্ম্মেনিয়ে কিবা সুযোগ দেখিলেই ফ্ৰান্সৰ ওপৰত পুনৰ প্ৰতিশোধ লবলৈ চেষ্টা কৰিব। কিন্তু ফ্ৰান্সে জাৰ্ম্মেনিৰ আক্ৰমণৰ কিবা সম্ভাৱনা দেখিলে তাৰপৰা সদায় সাত ঢাপৰ বাহিৰে থাকিবলৈ চাব। তাতে বৰ্ত্তমান ফ্ৰান্সৰ জন্ম মৃত্যুৰ হাৰ সমানে থকাত পুৰুষৰ সংখ্যা বৃদ্ধি নহৈ আগৰ দৰেই তিৰোতাতকৈও কম হৈয়ে আছে। এনে স্থলত আকৌ এখন যুদ্ধ কৰি কেইলাখমান সৈন্য বলি দিবলৈ ফ্ৰান্স কেতিয়াও সাজু নহব। ফ্ৰান্সে ফালৰি কাটিলে অকলে বৃটেইনে ইটালিৰ লগত যুদ্ধ নকৰে। তেতিয়া হলে ইটালিৰ পথ নিষ্কণ্টক। এবিছিনিয়াক জয় কৰি নিজৰ মুঠিলৈ আনিবলৈ মুছলিনিয়ে একো টান নাপাব। অৱশ্যে যদি বৃটেইনে ফ্ৰান্সৰ ওচৰত প্ৰতিজ্ঞা কৰি চুক্তি কৰে যে জাৰ্ম্মেনিয়ে ইটালিক সহায় কৰিলে বৃটেইনেও ফ্ৰান্সক সহায় কৰিব তেনেহলে হয়তো ফ্ৰান্সে ইংৰাজৰ লগত এক যোগ হৈ ইটালিৰ বিপক্ষতা কৰিব পাৰে। তেনেহলে যুদ্ধ অৱশ্যম্ভাবী। ইপিনে মুছলিনিয়ে ইমানবিলাক সৈন্য, যুদ্ধ জাহাজ, আকাশীযান, ডেষ্ট্ৰয়াৰ আদি পূব আফ্ৰিকালৈ পঠিয়াই সেইবিলাক যদি বৃটিছ, ফ্ৰান্স বা জাতিসংঘলৈ ভয় কৰি পুনৰ ওভোতাই আনিব লগীয়া হল তেন্তে তেওঁ যুদ্ধ নকৰিও হৰাৰ নিচিনা অপমান আৰু কলঙ্ক পাব। তেতিয়া হয়তো ইটালিৰ অধিনায়ক হিচাপে নিজৰ দেশৰ মানুহৰেই তেওঁৰ ওপৰত আস্থা কমি যাব। মদগৰ্ব্বী মুছলিনিয়ে ইমানখিনি কাম হবলৈ কেতিয়াও নিদিয়ে। তেওঁ যুদ্ধ কৰিবই। কাৰণ পৃথিবীত যুদ্ধ হোৱাটো তেওঁ অন্তঃস্থলৰপৰা বিশ্বাস কৰে। এবাৰ তেওঁ ১৯৩৪ চনৰ ২৬ মে তাৰিখে এই বুলি কৈছিল—"I donot believe in perpetual peace ; not only that, I consider it depresses and negatives the fundamental virtues of man which only in bloody effot reveal themselves in the full light of the sun." [মই চিৰস্থায়ী শান্তি থাকিব পাৰে বুলি বিশ্বাস নকৰোঁ ; অকল সেয়ে নহয়, ই মানুহৰ আছল গুণবিলাকো তল পেলাই থয় বুলি মই ভাবোঁ। এই গুণবিলাক সূৰ্য্যৰ উজ্জ্বল



এবিছিনিয়াৰ স্বাধীনতা যুদ্ধত যোগ দান কৰা মুছলমান নেতা

কিৰণৰ দৰে কেৱল শোণিতপাত কৰিব পাৰিলেহে প্ৰকাশ পায়।] এবিছিনিয়াৰ লগত যুদ্ধ কৰিম বুলিয়েই মুছলিনিয়ে এতিয়ালৈকে দুশ কোটি মুদ্ৰা খৰচ কৰিছে। তেওঁ ইটালিৰ শক্তি-সামৰ্থ্য পৰীক্ষা কৰি কৈছে যে ইটালিয়ান সৈন্য যেই কোনো অৱস্থাৰ সন্মুখীন হবলৈ সম্পূৰ্ণ সমৰ্থ।

মুঠৰ ওপৰত এবিছিনিয়াক লৈ যেতিয়াই তেতিয়াই এখন যুদ্ধ অনিবাৰ্য্য। আজি সভ্য জগতে এবিছিনিয়াৰ দৰে এখন দুৰ্ব্বল স্বাধীন ৰাজ্যৰ স্বাধীনতা হৰণ কৰিবলৈ মুছলিনিক এৰি দিবনে, নাই পৃথিবীত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ আৰু জাতিসংঘৰ মান ৰক্ষা কৰিবলৈ তেওঁক বাধা দিব তাকে চাবলৈ গোটেই পৃথিবীয়ে অতিষ্ঠ হৈ অপেক্ষা কৰিছে।

নাগলোকৰ কথা

১

[নগাপাহাৰৰ শাসন-প্ৰণালী]

—শ্ৰীযুত কৰুণাকান্ত গগৈ

নগা জাতিৰ বিষয়ে কম-বেছি আমাৰ দেশৰ প্ৰায় সকলো মানুহেই জানে। সিবিলাকো ইংৰাজ গৱৰ্ণমেণ্টৰ শাসনাধীন আৰু আমিও। কিন্তু এই শাসনৰ পাৰ্থক্য কোন খিনিত আৰু ইয়াৰ বিশেষত্ব ক'ত তাক আমাৰ অনেকেই নাজানে। সেই বিষয়ে চমুকৈ দুআষাৰ কোৱাই এই প্ৰবন্ধৰ উদ্দেশ্য। ইয়াৰ পিছত নগা জাতিৰ বিষয়ে বহলাই আলোচনা কৰা হব।

গৱৰ্ণমেণ্টৰ অধীনত থকা নগা পাহাৰ অসম প্ৰদেশৰ ভিতৰত এখন জিলা আৰু ই দুটা ছব্‌ডিভিজনত বিভক্ত। কহিমা সদৰ ঠাই আৰু মোককৃছং মহকুমা। ৱাকচিং, ৱখা (wokh) কঙ্গন, হেনিমা আৰু বপুগোৱেমি উল্লেখ-যোগ্য ঠাই। এই ঠাইবিলাকৰ কোনো ঠাইত ৰণুৱা ছিপাহীৰ আড্ডা আৰু কোনো ঠাইত আস্পতাল আৰু ডাকঘৰ আছে। কহিমা ছব্‌ডিভিজনৰ ভিতৰত ফেকক্ৰেজিমা বোলা এডোখৰ ঠাইত এতিয়া নকৈ এটা আস্পতাল বহুৱাইছে, গতিকে এই ঠাইৰ নামো ইয়াত উল্লেখ কৰিব লগীয়া হৈ পৰিছে। কহিমাত নগা পাহাৰ জিলাৰ ডেপুটি কমিস্তনাৰ ছাহাব থাকে আৰু তেওঁ গোটেই জিলাৰ ওপৰত চকু ৰখাৰ উপৰিও কহিমা ছবডিভিজনৰ ছবডিভিজনেল অফিছাৰৰ ভালেখিনি সুকীয়া কামো কৰিব লাগে। তেওঁৰ তলত কহিমাৰপৰা ৮৭ মাইল দূৰত মোককছঙত এজন মহকুমাৰ ছাহাব থাকে। এই ছোৱা বাট খোজ কাঢ়িয়েই যাব লাগে, আন যান-বাহনৰ একো সুবিধা নাই। ঠায়ে ঠায়ে ঘোঁৰাত উঠিও যাব পাৰি। দুয়োটা ছবডিভিজনৰ ভিতৰত কহিমাই ডাঙৰ আৰু ইয়াৰ অবিবাসীৰ ভিতৰত আঙ্গামী, কাচানগা, কুকি, কছাৰী, ৰেঙমা, লঠা, চেমা আৰু দক্ষিণ চান্তামবিলাকেই লেখত পৰে। মোককছং ছবডিভিজনত চেমা, লঠা, আও, কন্যাক, ফ'ম, চাঙ আৰু এখননে দুখন চান্তাম্ গাঁও আছে। ডেপুটি কমিস্তনাৰ আৰু ছবডিভিজনেল অফিছাৰৰ মুখ্য কৰ্ত্তব্য হৈছে ৰাজহ লগোৱা আৰু গোটোৱা, দন্দ-খৰিয়ালৰ লেঠা ভাঙি সকলোৰে মাজত সুখ শান্তি প্ৰতিষ্ঠা কৰা। সকলো নগায়েই বছৰত ঘৰ-মূৰি দুটকাকৈ ছৰকাৰক কৰ শোধাব লাগে,—কোনো ঠাইত আৱশ্যক বুজি বিশেষ কাৰণত ইয়াৰ ব্যতিক্ৰমো দেখা যায়। ইয়াকেই প'ল টেক্স (Pole tax) বোলে। সিহঁতৰ মাটিৰ বেলেগে ৰাজহ নাই। গাওঁবুঢ়া, মাহিলি ত্ৰিশ টকাতকৈ তাকৰ বেতন পোৱা ছৰকাৰী চাকৰিয়াল, বুঢ়া বুঢ়ী আৰু কৰি মেলি খাব নোৱাৰা লোকক আৰু যিবিলাক নগা-কুলী মহাসমৰত বস্তু-বেহানি কঢ়িয়াবলৈ ফ্ৰান্সলৈ গৈছিল সিবিলাকক খাজনা ৰেহাই দিয়া হয়। প্ৰত্যেক গাৱঁৰে মানুহ থকা ঘৰৰ আৰু ৰাজহ দিয়া আৰু ৰেহাই পোৱা ঘৰৰ মুঠ সংখ্যা ৰেজিষ্টাৰ বহীত ভৰাই থোৱা হয়। ডেপুটি কমিস্তনাৰ, ছবডিভিজনেল অফিছাৰ আৰু তেওঁবিলাকৰ সহকাৰী কৰ্ম্মচাৰীসকলে মাজে মাজে গাৱেঁ গাৱেঁ গৈ ঘৰৰ লেখ লয়গৈ আৰু কোনোক নকৈ খাজনা লগায়। কোনোক আৱশ্যক বুজি ৰেহাই দিয়ে। লগে লগে ৰেজিষ্টাৰত এই বিলাক পৰিপাটিকৈ মিলাই ৰখা হয় যাতে ৰাজহ গোটোৱাৰ সময়ত কোনো প্ৰকাৰ আহুকালত পৰিব লগীয়া নহয়। দৰাচলতে গাৱেঁপতি খাজনা গাওঁ বুঢ়াবিলাকেহে তুলি আনে আৰু সিবিলাকে এই বাবে

তোলা ধনৰ শতকৰা ছাৰে বাৰ টকাকৈ কমিস্তন পায়। ইয়াৰ উপৰিও আওপকীয়া কৰ (indirect tax) হিছাপে নগাই ছৰ্কাৰী আলি পদূলিবিলাক মেৰামতি কৰিব লাগে, ছৰ্কাৰী চাকৰিয়াল চফৰ ফুৰিবলৈ যাওঁতে সিবিলাকৰ বোজা বৈ নিব লাগে, বাহৰ আদি সাজি ৰচদ পাতিৰ যোগান ধৰিব লাগে ; ঠায়ে ঠায়ে থকা ছৰ্কাৰী ডাক-বঙলাবোৰ মেৰামতি কৰিবলৈ আৰু আন আন 'পাব্‌লিক ৱৰ্কছৰ' কামৰ কাৰণে খেৰ-বাঁহ আদি যতনাই দিব লাগে। ইয়াৰ বাবে সিবিলাকক অৱশ্যে এটা নিৰ্দ্দিষ্ট নিয়মত মজুৰি দিয়া হয়। আন হাতে ইয়াৰ বিনিময়ে সিবিলাকে ছৰকাৰৰ পৰা অনেক ধৰণৰ উপকাৰ পায়। আজিকালি ছৰ্কাৰৰ তলত থকা নগাবিলাকে হেঁপাহ থাকিলেও মূৰ চিকাৰ * কৰিব নোৱাৰে। কহিমাত অসম ৰাইফল্‌ছৰ ৰণুৱা ছিপাহীৰ গেৰাজ এটা থকাত আৰু তাৰে ঠাল ঠেঙুলিৰ মোককছং, হেনিয়া আৰু কঙ্গণত একোটা আড্ডা ৰখাত অজান্তি-মুলুকৰ আৰু সীমাৰ বাহিৰত থকা স্বাধীন নগাবিলাকেও ছৰ্কাৰৰ দখলত আহি আন নগাক হুমিয়াবলৈ বা যুজৰ ফেৰ পাতিবলৈ ভয় কৰে। সীমাৰপৰা এদিনৰ বাটৰ আঁতৰলৈকে সকলোৱে জানে যে বৃটিছৰ দখলত হাত দাঙিলে সুদাই সৰা নাযায়। এইবিলাক ৰক্ষণাবেক্ষণৰ উপৰিও নগাৰ দন্দ-কাজিয়া মিটাই দিয়াত আৰু মামলা মোকৰ্দ্দমা শুনাত কোনো প্ৰকাৰৰ মাছুল আদি লোৱা নহয়। নগাদেশত উকীলো নাই আৰু সেইদেখি উকীলৰ ওচৰত নগাই ধনো ভৰিব নালাগে। বিদেশীৰ ভিতৰত মামলা মোকৰ্দ্দমা হলে অৱশ্যে সমতলৰ কোনো ঠাইৰপৰা উকীল নি লগাবগৈ পাৰে। নগা লৰাই স্কুলত পঢ়া বাবেও মাছুল দিব নালাগে। ইফালে কহিমাত টেক্‌নিকেল স্কুলত গভৰ্ণমেণ্টেহে বৃত্তি দি নগা লৰা পঢ়ুৱায়। এই বৃত্তিক নগাবিলাকে দৰ্ম্মহা বুলি কয়। চিকিৎসাৰ বাবেও সিবিলাকে এপইছাও ভৰিব নালাগে,—আস্পতালত খোৱা-পিন্ধাও ৰোগ ভাল নোহোৱালৈকে ছৰ্কাৰৰ ঘৰৰ পৰাই যোগোৱা হয়। গৰু-মহ, হাঁহ-ছাগলি, কুকুৰা গাহৰি আদিৰ চিকিৎসাৰ কাৰণে পশুচিকিৎসকো (Veterinary staff) ৰখা হৈছে ; ইবিলাকেও চিকিৎসাৰ বাবে একো পাৰিশ্ৰমিক আৰু খৰচ লব নোৱাৰে। পানীৰ বাবে যিবিলাক জান-জুৰি ছমাহ পাৰ হোৱা অসাধ্য সেইবিলাকৰ ওপৰত দলং দিয়াত নগা বেপাৰীয়ে অবাধে বেহা-বেপাৰ চলাব পাৰিছে। আগেয়ে সিবিলাকে মূৰ হেৰোৱা আৰু পৰ্ব্বতীয়া জুৰিৰ তৰ্কিব নোৱাৰা কোবাল সোঁতে উটুৱাই নিয়াৰ ভয়তে জোখাৰে বেপাৰৰ সমল যুগুত থাকিলেও দূৰ-দূৰণিত বেহাবলৈ মন মেলিব নোৱাৰিছিল।

নগাৰ সকলো জাতিকে (tribes) একে নীতিৰেই শাসন কৰা হয়। মোককছং মহকুমাৰ ভিতৰৰ মামলা-মোকৰ্দ্দমা ছবডিভিজনেল অফিছাৰেই নিষ্পত্তি কৰে। তেওঁৰ বিচাৰত সন্তুষ্ট নহলে ঠাই বুজি ডেপুটি কমিস্তনাৰৰ ওচৰত আপীল দিব পাৰে। খুনি আদি সাঙ্ঘাতিক ধৰণৰ বিচাৰবিলাক পোনে পোনে ডেপুটি কমিস্তনাৰলৈ আহে ; কাৰণ নগাপাহাৰৰ ভিতৰত ডেপুটি কমিস্তনাৰৰ গাতেহে ছেছন্স জজৰ ক্ষমতা আছে। ভাৰতীয় দণ্ডবিধি আইন আৰু ছিভিল আৰু ক্ৰিমিনেল প্ৰছিডিয়ৰ (Civil & Criminal Procedure) নগাপাহাৰত বলবৎ কৰা নহয়। সেই কাৰণে শোধ শোধা হাকিমসকলে এই আইনবিলাক আখৰে আখৰে নাপালি তাৰ মুঠ শক্তিফেৰাহে কাৰ্য্যত খটায়।

নগা কথাবিলাক অসমীয়ালৈ ভাঙি বিচাৰকে বুজা কৰি দিবৰ কাৰণে আৰু নগাৰ ৰীতি-নীতিৰ বিষয়ে বাট দেখুৱাই দিবৰ কাৰণে কিছুমান দোভাষী ৰখা হয়। এই দোভাষীবিলাক ভালকৈ বাছি অনা মানুহ। এই কামৰ কাৰণে ইবিলাকৰ হেপাঁহো বৰ বেছি। অলপ অচৰপ অসমীয়া মাত মাতি আৰু বুজিব পৰা, দুই এ শ্ৰেণী পঢ়া নগাবিলাকৰ এই কামৰ কাৰণে বিশেষ ৰাগ দেখা যায়। নগাবিলাকৰ ভিতৰত ই এটা ডাঙৰ বিষয়। বেতন তাকৰ হলেও এই বিষয় থোৱা মানুহৰ সমাজত সম্মান আৰু প্ৰতিপত্তি লোভ কৰিবলগীয়া। নগাৰ

* Head-hunting (মূৰ-চিকাৰ) নগাবিলাকৰ এটা ডাঙৰ প্ৰথা। মানুহৰ মূৰ নিব পাৰিলে সমাজত সম্মান আৰু আধিপত্য দুগুণে বাঢ়ে।

দেশত দোভাষীয়েই একৰকম উকীলো, টেকেলাও, পিয়নো। কোনো কৰ্ম্মচাৰী চফৰলৈ গলে দোভাষীয়েই ডাকো অনানিয়া কৰিব লাগে। এই দোভাষীবিলাক লওঁতে যাতে বিভিন্ন জাতিৰ হক আৰু দাবী কোনো প্ৰকাৰে আওকাণ কৰা নহয় তালৈ চোকা চকু ৰখা হয়। উদাহৰণ স্বৰূপে মোককছঙত প্ৰত্যেক জাতিৰে দোভাষী ৰখাৰ উপৰিও আওবিলাকৰ ভিতৰতে খ্ৰীষ্টান আৰু চংলি, মুংচেন, চাংকি * আদি প্ৰতি খেলৰে প্ৰতিনিধি হিছাপে অন্ততঃ একোজনকৈ হলেও দোভাষী বাছি লোৱা হয়। শোধ আদি সোধাত যিমান দূৰ পাৰি নগাৰ ৰীতি-নীতিকে পালি চলা হয়, কিন্তু যিবিলাক নগা ৰীতি শোধ-শোধা হাকিমৰ মনত একেবাৰে নালাগে তেনেবিলাকত হাকিমৰ ইচ্ছামতে আন প্ৰকাৰৰ শাস্তি বিহে। চোৰ ধৰা পৰিলে নগা ৰীতিমতে শাস্তি স্বৰূপে তাৰপৰা ক্ষতিপূৰণ আদায় কৰা হয়, কিন্তু যিবোৰ দগধা চোৰে চুৰ কৰাটো ব্যৱসায় হিছাপে ধৰি লৈছে আৰু যি ক্ষতিপূৰণ ভৰি নিজৰ পুঁজি উদং কৰিও মিতিৰ কুটুমকো সৰ্ব্বস্বান্ত কৰিছে সিহঁতক বৰ চোকা কাঁইট পাতেৰে ডাঠকৈ বিছনা পাৰি তাৰ ওপৰত ধৰি বান্ধি শুৱাই থোৱা নিয়ম—ই এটা ভীষণ আসুৰিক শাস্তি, গতিকে আজিকালি তেনেলোকক সেই শাস্তি নিবিহি ফাটেক দিয়া হয়। বিয়া-বাৰুৰ বিষয়েও নগা ৰীতিয়েই চলে আৰু উত্তৰাধিকাৰীৰ স্বত্বৰ বিষয়েও সিবিলাকৰ জাতীয় নিয়মৰ কোনো প্ৰকাৰে ব্যতিক্ৰম কৰিবলৈ ছৰ্কাৰে নিবিচাৰে। মূৰ-চিকাৰ, গাহৰি, মেঠোন আদি শাস্তি দি মৰা আৰু জীয়াই জীয়াই কুকুৰাৰ পাখি গুচাই গেনা (১) কৰা প্ৰথাত ছৰ্কাৰে বাধা দিছে; কিন্তু য'ত সম্ভৱপৰ হয় তাত অৱশ্যে যিমানদূৰ পাৰি হকা বাধা নিদিয়াকৈ সিবিলাকৰ আচাৰ-ব্যৱহাৰ মূল নীতি পালি চলিবলৈ এৰি দিয়া হয়। দন্দ-খৰিয়ালৰ বিষয়েও সিবিলাকৰ ৰীতিগত প্ৰণালী পৰা-খিনিকে মানি চলা হয়। উদাহৰণ হিছাপে আও নগা-বিলাকৰ ভিতৰত ঘটা যিবিলাক সাঙ্ঘাতিক গণ্ডগোলৰ বতৰা তপতে তপতে ছবডিভিজনেল অফিছাৰলৈ নপঠালে নহয় সেইবিলাক এৰি আন ধৰণৰ প্ৰায় বিলাক বিচাৰেই গাৱঁলীয়া মেলতে ছিঙা কটা কৰা হয়। ইয়াৰ পৰা সিবিলাকৰ স্বাধীন ক্ষমতা আৰু দায়িত্ব জ্ঞান বজায় ৰাখিবলৈ সুবিধা দিয়া হৈছে। গাৱঁলীয়া মেলে ছিঙিব নোৱাৰা বা কোনো এদলে যদি গাৱঁলীয়া মেলৰ ৰায়ত সন্তুষ্ট হব নোৱাৰে তেনেবিলাক বিচাৰ লৈহে ওপৰৱালা হাকিমৰ কাষ চপা হয়। বিচাৰত বিপৰীত মন্তব্য দিয়া যেন পালে গাৱঁলীয়া মেলৰ মেলুৱৈসকলক উপযুক্ত কৈফিয়ৎ তলপ কৰা হয়, কিন্তু সিবিলাকৰ মন্তব্যৰ বিৰুদ্ধে অযথা আপীল চলোৱাত কোনোমতে উৎসাহ দিয়া নহয়। আও নগাবিলাকৰ পুৰুষ পৰম্পৰা চলি অহা কোনো গাম (Chief) নাই আৰু গাৱলীয়া মেলবিলাকতো মেলুৱৈৰ সংখ্যা ইমান বেছি আৰু আমনি লগা যে ৰাইজ আৰু ৰজাৰ মধ্যস্থ হওঁতে অনেক সময়ত সিবিলাকে ঘাই সূতা ডালৰ আউল লগোৱা যেনহে দেখা যায়। এই কাৰণেই ছৰ্কাৰে গাৱেঁ গাৱেঁ গাওঁবুঢ়া নিয়োগ কৰিছে। গাৱেঁ পতি লোকসংখ্যা অনুপাতে গাওঁবুঢ়াৰ সংখ্যাও কম-বেছি হয়। সাধাৰণতঃ সৰু গাৱঁত এজন আৰু বৰ গাৱত পাঁচ জনৰপৰা ছজনলৈকে গাওঁবুঢ়া থাকে। ভালকৈ শোধ আদি সুধিব জনা ক্ষমতাপন্ন মানুহৰপৰা গাৱলীয়া ৰাইজে এই গাওঁবুঢ়াবিলাক বাছি দিয়ে আৰু ওপৰৱালা হাকিমে তেওঁবিলাকৰ মতকে অনুমোদন কৰে। আও আৰু কন্যাক নগাৰ দেশত সহকাৰী গাওঁবুঢ়াবিলাকক বাৰিক বোলা হয়। স্বভাৱত কিবা ঘূণ দেখিলে সিবিলাকক কামৰপৰা একৰাই দিয়া হয়; কিন্তু স্বাভাৱিকতে সিবিলাকে কৰি মেলি খাব নোৱাৰা অৱস্থালৈকে কাম চলাই থকা পোৱা দেখা যায়। 'আমুঙ'ৰ *

* চংলি, মুংচেন, চাংকি আওনগাৰে বেলেগ বেলেগ ফৈদ। ইবিলাকৰ মাত কথাও ভিন্ ভিন্।

(১) গেনা মানে উৎসৱ আৰু পূজা পাতলাদি বুজায়। কোনো কাম কৰিব নোপোৱা বুজাবলৈ হলেও গেনা শব্দ ব্যৱহাৰ কৰা হয়। যেনে চুৰ কৰা গেনা আছে অৰ্থাৎ কৰিব নাপায়।

* আমুং এটা গেনা। আমুঙৰ দিনত কোনো মানুহেই গাৱৰ বাহিৰ হৈ যাব নোৱাৰে আৰু খেতি পথাৰৰ কাম-কাজো সেই দিনা বন্ধ থাকে। বছৰৰ ভিতৰত অনেক আমু পালিব লাগে; কিন্তু বিষয়ৰ গুৰুত্বলৈ চাই বিশেষকৈ ধৰ্ম্মসংক্ৰান্ত বিষয়ে ইয়াক কঠিন ধৰণে পালন কৰা হয়।

নিয়ম কাৰণ তুলি পাৰি মানি চলা, মাজে মাজে গেনা আদিৰে পৱিত্ৰ কৰি ৰখা, সকলো লাগতিয়াল আহিলাৰে নদন-বদন আও নগা চাংবিলাক দেখিলে সঁচাকৈয়ে মনলৈ অনুপম আনন্দ আহে। ইবিলাকৰ খাছ গাৱলীয়া অশিক্ষিত লোকসকল যেনে সহজ সৰল, গাৱৰ আভ্যন্তৰিণ অৱস্থাও তেনে পোন-পটি আৰু ঘৰৰ সাজ-সজ্জাও তেনে আঁৰ নলগা। আও নগাৰ এঘৰত যি যি বস্তু দেখিবা আৰু যি বস্তু য'ত থাকিব আন এঘৰতো ঠিক সেই অনুযায়ীয়েই দেখা পাবা। অৱস্থা ভেদেও ইয়াৰ তাৰ-তম্য হব নোৱাৰে।

খৃষ্টান আৰু সংসাৰী মানুহ * একেলগে থকা গাওঁ-বিলাকত এনে কিছুমান সমস্যা ওলায় যিবোৰত ছৰ্কাৰেও সাৱধানেৰে হাত দিব লগাত পৰে। আন যিবোৰ জাতিয়ে নিজ নিজ ধৰ্ম্ম এৰি খৃষ্টান ধৰ্ম্ম লৈছে ঠিক সেইবিলাকৰ দৰেই নগা-খ্ৰীষ্টান সকলৰো এটা সম্পূৰ্ণ অযুক্তিমূলক ধাৰণা আছে যে কালি সিবিলাকে ভুল কৰিছিল গতিকে আজি একেবাৰে সেই ভুল শুধৰাই নিৰ্ভুল হব লাগে। এনে ধাৰণাৰপৰাই বোপা-ককাৰ দিনৰেপৰা চলি অহা ধৰ্ম্মকে খামুচি ধৰি থকা নিৰীহ গঞাসকলৰ মনত আঘাত দিয়ে। আমুঙৰ বিষয়েও সিবিলাকৰ দুয়োদলৰে ঘোৰতৰ যুঁজ-বাগ। খৃষ্টানবিলাকে কয় যে সিবিলাকে বছৰত আঢ়ৈ কুৰিতকৈও সৰহ 'ছাবাথ' (sabbaths) পালিব লাগে, তেনেস্থলত আমুং মনা সিবিলাকৰ কি দৰ্কাৰ। ইদলে কয় যে ছাবাথ তোমালোকে মানা নামানা সেইটো তোমালোকৰ নিজা কথা, আমাৰ তাত একো সম্পৰ্ক নাই, কিন্তু একে গাৱঁতে থাকিলে আমুং তোমালোকে মানিবই লাগিব। কিয়নো খৃষ্টানেই হওক বা সংসাৰীয়েই হওক আমুঙৰ দিনা গাওঁ এৰি গলে বা আন কাম বন কৰিলে গোটেই গাওঁখনৰে গেনা নৰয়। ই এঘৰে কৰা সৰুসুৰা গেনা নহয়, ই ৰাজহুৱা কাম। এনে দিনত জনপ্ৰাণী এটাও গাৱৰ বাহিৰলৈ যাব নোৱাৰে। অৱশেষত ইয়াকে নিৰ্ণয় কৰা হৈছে যে যি গাঁৱত খৃষ্টান আৰু সংসাৰী দুয়ো ফৈদৰে মানুহ আছে সেই গাৱঁত খৃষ্টানবিলাকে বিশেষ যুক্তিলৈ চাই কিছুমান গহীন ধৰণৰ আমুং মানিবই লাগিব। এই ধৰণৰ সমিলমিল কৰি দিয়াৰপৰা এতিয়া ভালেখিনি অজীণপাতকী কমিছে। কাৰ্য্যতঃ সকলোবিলাক আমুঙো সমানে নাপালিলে নচলা ধৰণৰ নহয়। খৃষ্টানবিলাকে বছৰত কিমান আমুং পালিব লাগিব গাঁৱৰ ভিতৰতে দুয়ো দল মিলি এটা নিৰ্ণয় কৰি লয়, আৰু সেই মতেই খৃষ্টানবিলাক চলে। কিন্তু ইমানতেই জানো এই যুদ্ধৰ শেষ পৰিছে? 'চাৰু'ৰ (ক) বিষয় লৈ আকৌ সিবিলাকৰ ভিতৰত এক মনো-মালিন্য। খৃষ্টানবিলাকে চাৰুৰ কাৰণে পঁচা দিবলৈ মন নকৰে, কাৰণ এই পঁচাৰ এভাগেৰে গেনাত কাটিবলৈ কুকুৰা-গাহৰি আদি লোৱা হয় আৰু বাকীখিনিহে 'আক্চু' (খ) আদি কামত লগোৱা হয়। এই বিষয়ে যাতে দুয়োদলৰ ভিতৰত সততে সংঘৰ্ষ নহয় তাৰ কাৰণে এনে আইন কৰা হৈছে যে যদিও সংসাৰী বিলাকৰ সুকীয়া ধৰ্ম্মসম্পৰ্কীয় কামত খৃষ্টানবিলাকে পঁচা-বৰঙণি দিয়া দৰ্কাৰ নাই, চাৰুৰ কাৰণে সিবিলাকে নিজৰ অংশ সদায়েই দিব লাগিব। এই মতে চলাত আজি কালি এই বিষয়ে কোনো বাকবিতণ্ডা নঘটে যদিও খৃষ্টানবিলাকে পাৰিতপক্ষে সদায়েই প্ৰাচীন ধৰমীসকলৰ মনত আঘাত দিবলৈ নেৰে আৰু ইয়াৰ কাৰণে সিবিলাকে ছল-চেলুও বিচাৰি ফুৰে। উদাহৰণ স্বৰূপে ইয়াতে এটা ঘটনা উনুকিয়াওঁ। চুংটিয়া গাৱলৈ ভালুকৰ মঙহ অনা 'টাবু' অৰ্থাৎ নিষেধ। এদিন কেজনমান খৃষ্টান গঞাই 'কি হয়নো বাৰু চোৱাই যাওক' বুলি দেখাদেখিকৈয়ে কিছু ভালুকৰ মঙহ আনি চাঙত তুলিলে। পিছে হ'ল কি সমূহ গঞাই বিচাৰ কৰি সিহঁতক নোদোকা গাহৰি এটা দণ্ড কৰিলে; আৰু তাকে বুঢ়া-মেথাবিলাকৰ ভিতৰত

* বোপা-ককাৰ ধৰ্ম্মকে ধৰি থকা বিলাকক নগা-অসমীয়াত সংসাৰী বোলে। কওঁতে সচৰাচৰ সংসাৰ-মানুহ বুলিয়েই কয়।

(ক) 'চাৰু' এটা ৰাজহুৱা পুঁজি। ধান দাই শেষ কৰাৰ লগে লগে এই পুঁজিৰ কাৰণে সকলো গঞাৰপৰা ধান তোলা হয়। এই ধান ৰাজহুৱা গেনা আৰু 'আক্চু'ত খটায়।

(খ) 'আক্চু' মানে আলহী সোধা। গাৱত জুই লাগি দুখত পৰা মানুহলৈ পঠোৱা উপহাৰকো আক্চু বোলে।

ভগাই সংসাৰীবিলাকে মধুৰে (১) সৈতে আৰু নিৰ্জ্জু-খৃষ্টানবিলাকে চাহ পানীৰে সৈতে খাই তৃপ্তি লভিলে। বপুৰাইত চাই থাকোঁতেই গল। এনে ধৰণৰ ঘটনা প্ৰায়ে ঘটে; কিন্তু লাভৰ ভিতৰত নোপোৱাই পোৱাদি পোৱা ন ধৰমীসকলৰ ক্ষতিৰ বাহিৰে আন একো নহয়। খৃষ্টানবিলাকে যেনেকৈ সংসাৰীবিলাকৰ সহজ মনোবৃত্তিত সততে আঘাত দিবলৈ বিচাৰে,আন হাতে সিবিলাকৰ গিৰ্জ্জা ঘৰৰ ভিতৰুৱা কাৰবাৰত সংসাৰীবিলাকে কোনো প্ৰকাৰ হস্তক্ষেপ কৰা বা মুখ বজোৱা আজিলৈকে কোনেও শুনা নাই। ধৰ্ম্ম-সংক্ৰান্ত বিষয়ে যিবোৰ গাৱঁত সততে হাই-উৰুমি নুগুচে তেনে ঠাইৰ খৃষ্টানবিলাকে বেলেগে গাওঁ পাতি থাকিবৰ কাৰণে ঠাই নিৰ্দ্দেশ কৰি দিয়ে। সিবিলাকক খৃষ্টান নীতিয়ে হাৰে হিমজুৱে বিন্ধিছেগৈ সিবিলাকেতো সুবিধা ওলোৱা মাত্ৰেই আঁতৰি যাবই, বাকী যিবিলাক প্ৰাচীন ধৰমী আৰু খৃষ্টান পুৰণি গাঁৱতে থাকে সিবিলাকে নগাৰ কৌটী-কলিয়া সকলো ধৰণ-কৰণ, আমুং আৰু চাৰু ৰীতিমতে পালি চলে।

নগাদেশত বিদেশীক খলি পুঁতিবলৈ দিয়া নহয়। মহ-গৰুৰ খুটি থকা দুই চাৰি ঘৰ নেপালী আৰু ঠাই বুজি দুই চাৰি ঘৰ পেন্সন্ পোৱা ছিপাহীক মোককছং আৰু কহিমাৰ ভিতৰত বাস কৰিবলৈ অস্থায়ী ধৰণে পাছ দিয়া হয়। ডেপুটি কমিস্তনাৰৰ অনুমোদনত এই ধৰণৰ কোনো কোনো মানুহে দুই-এপুৰুষলৈ স্থায়ী পাছো পাব পাৰে। কিন্তু যিমানেই হওক সিবিলাকৰ অৱস্থা পিতনিৰ ওপৰত পতা চাঙৰ নিচিনা, কোন মুহূৰ্ত্তত তল্‌মল কৰি তললৈ যায় তাৰ ইয়ত্তা নাই। ইয়াৰ উপৰিও কোনো নগাই বিদেশীক মাটি-ভেটি হস্তান্তৰ কৰিব নোৱাৰে আৰু তেনে কৰিবলৈ হলে ডেপুটি কমিস্তনাৰৰ লিখিত আদেশ পত্ৰ আগতে পাব লাগিব।

নাগৰাজ্যত ফুৰিবলৈ অহা যেই সেই মানুহৰ চকুতেই ৰঙা কাপোৰৰ দৃশ্যটো বৰকৈ পৰে। এই ৰঙা বৰকাপোৰবিলাক গৱৰ্ণমেণ্টে পুৰস্কাৰ দিয়া। দোভাষী-বিলাকে এই কাপোৰ প্ৰতি দুবছৰে একোবাৰকৈ পায় আৰু গাওঁবুঢ়াবিলাকক তিনিবছৰৰ মূৰে মূৰে এবাৰকৈ দিয়া হয়। ইয়াৰ উপৰিও মাজে মাজে বৃটিছ সীমাৰ বাহিৰত থকা নগা গামবিলাককো এই কাপোৰৰ একোখনকৈ দি বন্ধুত্বৰ কটকটীয়া ডোলেৰে বান্ধি থোৱা হয়। নগাবিলাকৰ ৰঙা ৰংটো বৰ পছন্দ। সেইদেখিয়েই এই ৰঙা কাপোৰ সিবিলাকে বৰ হাবিয়াসেৰে পৰিধান কৰে। বৰ জহতো এই গৰম কাপোৰ দোভাষী আৰু গাওঁবুঢ়াবিলাকে গাত মেৰাই ফুৰা মই দেখিছোঁ। বৃটিছ গৱৰ্ণমেণ্টৰ মৰমৰ চিন বুলিও সিবিলাকে ইয়াক এৰিব নোখোজে। আমাৰ দেশৰ স্বৰ্গদেৱসকলেও তাহানিখন নগাক ৰঙা কাপোৰ দিছিল বুলি অনেক বুঢ়া নগাৰ মুখে মই শুনিছিলোঁ। সেই কালত প্ৰত্যেক চাঙৰ নগাই ৰংপুৰতে স্বৰ্গদেৱসকলক কপাহ, হাতীদাঁত, আৰু চন্দন কাঠ আদি দি দেখা কৰেহি আৰু ৰজাই সিবিলাকক ৰঙা কাপোৰ, লোণ য'খাৰ আদি দিয়ে।

(১) মধু মানে লাওপানী। 'আমেৰিকান বেপটিষ্ট মিশ্যন'ৰ নিয়মমতে লাওপানী খাব নেপায় গতিকে নগা-খৃষ্টানবিলাকে সিবিলাকৰ আছল খাদ্য লাওপানী পৰিত্যাগ কৰিছে। তাৰ সলনি চাহ-পানী ঢোকা ঢোকে খায়।



কলীয়াপানী ফিৰত

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

গল্প—

১

মদাৰগুৰি গাৱৰ পুখুৰীটোৰ কেউপাৰে আজি মানুহৰ বৰ ভিৰ। বিৰ দিও সন্ধি পাবলৈ নাই। মানুহৰ জুমৰ মাজৰপৰা ভালখিনি নিলগলৈকে কনিষ্টবলৰ ৰঙা পাগুৰি জিলিকিব লাগিছে। কথাটো কি চাবলৈ ময়ো পথাৰৰ মাজৰপৰা বেগাবেগিকৈ গৈ জনতাৰ মাজেদি বাট উলিয়াই মৌজাদাৰ আৰু পুলিছ ইন্‌স্‌পেক্টৰ যত থিয় হৈ আছিল সেইখিনিতে ওলালোঁগৈ। দাৰোগাই মৌজাদাৰৰ কাণে কাণে ফুচফুচাই কিবা এটা কলে। মৌজাদাৰে উত্তৰত মূৰ দুপিয়াই সম্মতি জনাই থলে। তাৰ বিছত দাৰোগাৰ মাত শুনা গল—আৰে তেৱাৰি লাছটো আভি পাৰত উঠাব লাগে। পাৰত তোলাত দেখা গল যে শৰ টেটুত চেলেং কাপোৰ এখনেৰে ফাছ দিয়া আছে। দাৰোগাই মৌজাদাৰৰ মুখলৈ চাই মাত লগালে—মাৰ্ডাৰ। মৌজাদাৰে কলে—এভিডেণ্টলি ছ'। গাঁৱৰ আদবয়সীয়া পুৰোহিত যোগেশ্বৰ শৰ্ম্মা গাওঁবুঢ়া আৰু জয়ৰাম মণ্ডলেৰে সৈতে মৌজাদাৰৰ ঘৰত ইয়াৰ পিছত কিছুপৰ কথা হৈ সেই গাৱৰে নীলকণ্ঠ শৰ্ম্মাক গ্ৰেপ্তাৰ কৰি লৈ গল। গঞা লোকৰ কাৰো মুখতে এই গ্ৰেপ্তাৰত একো সাল সলনি দেখা নগল; সকলোৱেই যেন এই কথাৰ কাৰণে আগৰেপৰাই সাজু।

২

পুৰোহিত যোগেশ্বৰ দেউৰ মাজু জীয়াৰী হেমী জিলাৰ ৰাজখোৱাৰ ঘৰলৈ পৰিছিল। তাইৰ দুৰদৃষ্ট। গিৰিয়েকৰ মুখ দেখাৰ বছৰেক নৌ উকলোতেই তাই সেন্দুৰৰ ফোট মোহাৰি পেলাব লগাত পৰিল। চোকা উগ্ৰচণ্ডী শাহুৰ গালি-শপনি আৰু জাক নন্দেকৰ দিনে ৰাতি ঠেলিয়া ঠেলি তেজ মঙহৰ শৰীৰে আৰু সহিব নোৱাৰা হ'ল। দিনে ৰাতিয়ে শাহু আয়ে গালি পাৰে—গিৰিয়েৰৰ মূৰ খাতী, ৰাও মূৰী, কুলক্ষণী। আহিবৰ এবছৰ নৌ হওতেই মোৰ বোপাইৰ মূৰটো চোবালে! এইক দেখিলেও মহাপাপ। ভাল মোৰ ঘৰত আনি যখিনী জনী সুমাইছিলোঁহি, এতিয়া বাকী কেটাৰো মূৰ নোচোবালেহে ৰক্ষা! ইফালে জাক নন্দেকে ঘৰে ঘৰোৱাহৰ সকলো কাম কাজ—বাহী বনৰপৰা আৰম্ভ কৰি, গোবৰ পেলোৱা, গাখীৰ খীৰোৱা, গৰু মেলা, ধান ৰদত দিয়াৰপৰা চাউল উলিয়ালৈকে আৰু ৰন্ধা-বঢ়াৰপৰা মজিয়া অটোৱা, চুৱা ধোৱালৈকে সোপাকে হেমীৰ মূৰতে জাপি দিলে। এই সকলোবোৰ যে তাইৰ কৰণীয়। কৰণীয় নহবনো কিয় তাই যে পুতেকৰ মূৰ খাতী, কুলক্ষণী তাই যে যখিনী? কাম-বনৰ বোজাতো এই, পিছে ভাল মাত এষাৰৰপৰাও বঞ্চিত হলে থাকে কেনেকৈ? দিনে ৰাতিয়ে তেজ-মহঙৰ শৰীৰে টেঙা মাত আৰু গালি-শপনি সহিব নোৱাৰা হোৱাত এদিন বাপেকে জীয়েকৰ খবৰ লবলৈ যাওঁতে তাই যেনে আছে বাপেকৰ লগতে প্ৰায় দুবছৰৰ আগতে এদিন বিয়লি বেলিকা যিখন ঘৰৰপৰা মাকে তাইক চকুৰ পানীৰে বিদায় দিছিল সেইখন ঘৰলৈকে আকৌ উভতি আহিল। সেই দিনাখনৰপৰা ঘৰতে তাত-সূত বৈ কটনা কাটি খাই বৈ আছিল। তিনি দিনৰ আগতে এদিন ৰাতিপুৱা তাইক আৰু গাওঁখনত বিচাৰি পোৱা নহল। ওচৰৰ গাৱঁতো বিচাৰি চলাথ কৰি নাপাই বাপেকে থানাত খবৰ দি ঘৰ পালেহি। আজি দোকমোকালিতে গা ধুবলৈ অহা বুঢ়ী এগৰাকীয়ে মৰাশ এটা পুখুৰীত ওপঙি থকা দেখি "পুখুৰীত পৰি মানুহ মৰিল ঐ, কোন ক'ত আছ আহক ঐ" বুলি হাঁয়ৈ বিয়ৈ লগোৱাত পুখুৰী পাৰ মানুহেৰে ভৰি পৰিল। চাই দেখে যে বাপুদেউৰ জীয়ৰী হেমীৰ শ। তাৰ পৰিণামতে পুলিছৰ এই তদন্ত আৰু নীলৰ গ্ৰেপ্তাৰ।

৩

নীলকণ্ঠক গ্রেপ্তার কৰি নিয়াৰেপৰা তাৰ ঘৈণীয়েক আৰু লৰা-ছোৱালীৰ কান্দোন-কাটোনত বাটৰ বাটকৰাও শঙ্কেৰ বৈ "কি হৈছে ইয়াত" বুলি সুধি যাৰ লগা হৈছে। তাক ধৰি নিয়াৰ দুই এদিনৰ মুৰতে গাৱঁৰ কেনেবাকৈ খবৰ আহিল যে এবাতি পুলিছৰ হাতত আটক হৈ থাকোতে সি চৈ কাচিছে যে হেমীৰ সৈতে ভালে দিনৰ আগৰে পৰা হাট-বাট আছিল। বিধবা বিয়া চলাম, হেন কৰিম তেন কৰিম বুলি বাৰে কুৰি আশা দি সি তাইৰ সৰ্ব্বনাশ কৰিছিল। শেহত গতি বিষম দেখি সি দৰৰ এপালি খুৱাবলৈ বৰকৈ টানি ধৰাতো হেমী মাস্তি নহল। ইফালে আৰু দিনদিয়েক থাকিলে কথাটো গাৱত বাষ্ট্ৰ হব বুলি ভয়ত সি এদিন ৰাতি কিবা এটা চেলু দেখুৱাই পুখুৰী পাৰলৈ তাইক মাতি আনে। তাতে যদি কথা চোৱাই চোৱাই ছেগ বুজি গাৱ চেলেঙেৰে টেটুত ফাহ দি সি তাইক মাৰি ফুটুকানিবে ভৰি থকা নিটো পাৰলৈ নি তাতে পেলাই দিয়ে। এই বাতৰি শুনি গঞালোকে কোৱা-কুই কৰিবলৈ ধৰিলে—তেনেহলে নীলৰ এইবাৰ জৰুৰ ফাঁছী হব। বজাৰ আদালতৰ বিচাৰৰ আগেয়ে গাৱৰ জজবোৰে দিয়া এই ৰায়ে তাৰ ঘৈণীয়েক আৰু লৰা-ছোৱালীক আৰু বাউল কৰিহে তুলিলে। বুহু দুকুৱাই আৰু বিননিত গছৰ পাতো সৰাব লগা হল।

আবেলি নৈৰ পাৰে পাৰে ফুৰি ফুৰি নীল ইতৰ গাৱঁৰ ওচৰ পালোঁহি এনেতে পিছফালৰপৰা—কি হে ফুৰিবলৈ আহিলা নেকি বুলি মতা শুনি উভতি চাই দেখো যে নীলৰ একেটি ভায়েক যজ্ঞেশ্বৰ। সিয়েই আকৌ কলে—টেলিগ্ৰাম পাই ছুপৰীয়াৰ গাৰীত নামিলোহি। যজ্ঞেশ্বৰ হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ। তেজপুৰত থকা মোমাযেক নৰ চিৰস্তাদাৰৰ ঘৰত থাকি পঢ়ে। "সকলোতো শুনিছাই" "এবা শুনিছো আৰু দেখিছো।" "দেখিছো মানে?" "দেখিছো মানে পুলিছ আহিৰৰ দিনা মই তোমালোকৰ এই পুখুৰী পাৰতে।" কথা পাতি পাতি দুয়ো আগ বাঢ়ি গলোঁ। যজ্ঞেশ্বৰে কলে—যেনে তেনে ককাইদেউক সকৰাবই লাগিব। নহলে ঘৰ ওচিল আৰু। মোৰ একো পথ্যেই বিশ্বাস নহয় যে ককাইদেউ দোষী। "যি ভাল দেখা কৰিবা। দুখে ভাগৰে আহিছা, জিৰোৱা যৈ" বুলি মই ঘৰমুহা হলো। বাট্ত গাঙঁবুঢ়াক লগ পাই সুধিলো—গাঙঁবুঢ়া কাই, এই নীলক যে গিলিপদাৰ কৰি নিলে সি জানো দোষী? গাঙঁবুঢ়াই কলে এতিয়াও এই কথা সোধাতেই আছ বাপা? দোষী মহাপাতকী সি। আগতেই কিবা এটা জগৰত পৰি সি ফাছী ফাটেকত যোৱাহেতেনেই ভাল আছিল। ৰাম! ৰাম! শ্ৰীবিষ্ণু আমাৰ এই ডোখৰত এনে কাণ্ড হোৱা বুলি বোপা-ককাৰো মুখে শুনিনিলোঁ। বুজিছা বোপা কথা বুলিলে বতাহ, ইকাণ সিকাণকৈ সহস্ৰ কাণ হৈ কথাটো প্ৰকাশ হৈছিলেই, পিছে তাৰ মাজুটো মোমাযেক সেই ৰবমহৰী পাতৰ ভয়ত কেৱেই ফুটাই কৰলৈ সাহ কৰা নাছিল। পিছে মোৰ হবি বোপা বস্তৰ বল। পাপ আপুনিয়েই বিদিত হল। জুই কুৰাকনো কাপোৰেৰে ঢাক মাৰি কেই কাল ৰাখিব হৌ? পিছে বোপা ঘৰলৈহে যাবা। যোৱা মোৰ আকৌ ডবাদিয়েক মাহ তুলিবলৈ এতিয়াও বাকী। উস্! উস্!! এনে নাৰীবধী মহাপাতকী, কটা যোৱাৰ পো বন্দী। ফাঁছী হওক তাৰ! যাবাহে বোপাদেউ।"

৪

পোন্ধৰ দিনৰ পিছৰ কথা। সেই দিনা বুধবাৰ। বুধবাৰে আমাৰ গাৱঁলৈ পিয়ন আহে। চিঠি-পত্ৰ, খবৰ কাগজ দি গলহি; সেই দিনাৰ কাগজত দেখিলো।—

গর্ভাৱতী বিধবা হত্যা
অভিযুক্তন বে-কছুৰ খালাছ
ভায়েকৰ প্ৰতি দ্বীপান্তৰ দণ্ড

যোৱা ২০ জানুয়াৰি তাৰিখে হেমী নামেৰে বিধবা এজনীৰ হত্যাৰ অপৰাধত অভিযুক্ত নীলকণ্ঠ শৰ্ম্মাৰ বিচাৰৰ কাৰণে ছেছন্স আদালত বহোতেই অভিজ্ঞ যজ্ঞেশ্বৰ নামেৰে ভায়েক এটাই আহি "মোৰ ককাইদেউ দোষী নহয়, মই হে দোষী। সেই বিধবাজনীক মইহে মাৰিছোঁ। ককাইদেউক অনাহকতে দোষী নকৰিব। মোৰ প্ৰতি দণ্ডৰ আদেশ হওক" বুলি কয়হি। তাৰ বয়স ১৬।১৭ বছৰৰ বেছি হোৱা যেন নাগাগে। জজ আৰু জুৰিয়ে ৰায়টিৰ কথা পতিয়াব মুখুজিছিল; পিছে একে কথাকে দি দুপৰীয়ে কৈ থকাত জুৰিবে সৈতে একেমত হৈ জজে যজ্ঞেশ্বৰৰ কোমল বয়সৰ কথা বিবেচনা কৰি তাৰ প্ৰতি দ্বীপান্তৰৰ দণ্ডৰ আদেশ দিয়ে। যজ্ঞেশ্বৰে কোৱা সেই "যেনে তেনে ককাইদেউক সকৰাব লাগিব"—এই কথাবাৰৰ অৰ্থ এতিয়াহে বুজিলোঁ। অদ্ভুত লৰা। ইফালে হাজত থাকি জন্মেমদে চলা বাবে পা-পৰাচিত হৈ তীৰ্থ চীৰ্থ ফুৰি নীল যেতিয়া গাঙঁ পালেহি তেতিয়া ভায়েক যজ্ঞেশ্বৰ কলীয়া পানীৰ পথত।

যজ্ঞেশ্বৰ বয়সে মোতকৈ ন'।০ বছৰৰ সৰু হলেও তাঁৰে সৈতে কতবাৰ খিয়েটৰ পাতিছোঁ, ভাওনা কৰিছোঁ, ধৰ্ম্ম সভা সমিতি পাতিছিলোঁ দুয়ো। আজি তাৰ কলীয়া পানী হোৱাত বৰ বেজাৰ পালোঁ। উঠি অহা লৰা, তাতে সি সম্পূৰ্ণ নিৰ্দ্দোষী। আজি এবছৰ সি ঘৰৰ পিনে মুখকে কৰা নাই এনেস্থলত.....যাওক ভাবিলে বেয়াহে লাগে।

ইতিমধ্যে গঞাৰ মেল বহিছে। বুঢ়া-মেঠা দুই এজনে কৈছে—দেখিলা ককায়েকৈ যোগাইব মৰম দেখিলা? এজনে কৈ উঠিল—মৰম ধৰমৰ কথা এৰা। এতিয়া নীলক সমাজত ৰাখানে নাৰাখা। অনুকূল প্ৰতিকূল উত্তৰৰ অভাৰ নাছিল। (১) ৰাখা কেনেকৈহে নাৰাখৰী পাতলী এটা সি। তাক আকৌ সমাজত ৰাখা কেনেকৈ হে। (২) নোৱাবা নোৱাবা তাক আকৌ সমাজত লব নোৱাৰা। (৩) তাক আকৌ সমাজত ঠাই দিলে সি সমাজ তলৰে নিনিয়াই নাথাকে। নীলৰ মোমাযেক ৰবমহৰীৰ বন্ধু মুক্তাৰাম কাননগুৱে মাত লগালে—ৰাখোঁ বুলিয়েই তোমালোকে সমাজত ৰাখিবা আৰু নাৰাখোঁ বুলিয়া নাৰাখিবা। যি কোৱা নেয়ে হবনেকি হে? ইটো মান মৰাঘৰ মুলুক হোৱা নাই!

গাঙঁবুঢ়া—কাননগু বোপা, তুমি চোন খিতাতে থৰ খাই উঠিলা, কথাটো ভালকৈ বুজাই কলেই দেখোন হয়।

কাননগু—ইঃ নেদেখিছা। এওঁলোক সোপাই অবুজন হলহি। 'ভালকৈ বুজাই কলেই দেখোন হয়!'

গাঙঁবুঢ়া—হেৰা মুকুতা তুমি কাননগু হব পৰা; কিন্তু সেই বুলিয়েই মুখৰ কথাষাৰকে দোহাৰি দোহাৰি পেলাই কৰিবলৈ তুমি কোনহে? ময়ো ওৰি গোটা নোহোৱাৰ নহওঁ। মই ৰাজ মেৰিৰ ঘৰৰ লৰা, মনত ৰাখিবা।"

কাজিয়া ভালকৈয়ে লাগি উঠিৰৰ আগন্তুক দেখি পাঠশালাৰ ভূষৰ পণ্ডিতে মধ্যস্থ হৈ কলে—"এবা গাঙঁবুঢ়া কাই, ডেকা লৰা, গৰম তেজ, কিবা কওঁতে কিবা ওলাই যায়। মুকুতা, তুমিও কি কব খুজিছা লাহে ধীৰে কৈ যোৱা। বুঢ়া মানুহে যেনিবা এষাৰ বঢ়াহেই কলে তাত তুমি কিয়, আন কোনোয়েই লগা ভাল নহয়।"

মুক্তা—'নহয় ছাৰ। গাঙঁবুঢ়াই য'তে ত'তে মোৰ সৈতে ফেপেৰি পাতি ফুৰে" এই বুলি কৈ কাননগুৱে আৰম্ভ কৰিলে—"ৰজাৰ বিচাৰত নীল নিৰ্দ্দোষী প্ৰমাণ হৈছে। সি খালাছ পাইছে। এতিয়া সি কি দোষত, কি কছুৰত এঘৰীয়া হয়, মই জানিব খোজো। তাক আপোনালোকে এঘৰীয়া কৰিলে সি সমাজ কৰিব পাৰিব।"

গাঙঁবুঢ়া—"যোৱাহে যোৱা মোকৰ্দ্দমা বহুত দেখিছোঁ। আমুকাৰ ইয়াতে চুলি পকালো। কবক গৈ মোকৰ্দ্দমা। আমুকাৰ তালৈ কেৰেপ নাই।"

দীঘলীয়া আলোচনাৰ পাছত নীলক এঘৰীয়া কৰাবে সীদ্ধান্ত হ'ল। কাননগু একে চাবে মেলপৰা উঠি গুচি যোৱাৰ অলপ পিছতে গাঙঁবুঢ়াই মাত লগালে—"কালিৰ লবাই পৰশুৰ গীত গায়। বৰাই গাঙঁবুঢ়াক মুকুতাই মোকৰ্দ্দমা শিকায় এতিয়া। কেইটা মোকৰ্দ্দমা কৰিলো, কেইটাত সাক্ষী দি জেবা কৰা উকীলক চলুয়ে চলুয়ে পানী লোৱাই পঠিয়ালো অমুকাই। এতিয়া সি আকৌ মোকৰ্দ্দমাৰ ভয় দেখুৱায়। কালৰো কাল। হুঃ।"

পিছে নীলৰ মোমাযেক ৰব মহৰীয়ে গাঙঁবুঢ়াকে আদি কৰি জনদিয়েক মুখিয়াল লোকক হাত কৰি মেলৰ সীদ্ধান্ত 'বিভাইজ' কৰাই পেলালে। বৰীয়া ভায়েক খ্ৰীকণ্ঠৰ সৈতে লেট-পেটকৈ থকাৰ কাৰণে নীল পা-পৰাচিত হওক আৰু গঞাক এটা ভোজ দিয়ক—ইয়াকে কবে যদি তাক সমাজত লোৱা হব।"

খোজ লোৱা বিদ্যাবাগীশে ডাক্তৰক বাহিৰলৈ উলিৱা দেখি আৰু ঘৰকৈ খোজ লৈ সাউৎ কৰে আঁতৰ হল। শেষ সৎকাৰ কৰিবলৈ ঘৰে ঘৰে গৈয়ো কাকো মাতি আনিব নোৱাৰিলোঁ। উপায়ান্তৰ নাপাই তিনিও ভাই ককায়ে নি সেই হেমীহত্যাৰ কাৰণে এৰি থোৱা পুখুৰীটোৰ এপাৰে ডাক্তৰৰৰ শৱ শেষ সৎকাৰ কৰি গুচি আহিলো।

৯

আকৌ গঞাৰ মেল। এইবাৰ মেল অনাৱশ্যকভাৱে ডাঙৰ। কিয়নো অপৰাধী স্বয়ং মৌজাদাৰ। মেলত সীদ্ধান্ত হ'ল যে মৌজাদাৰে যদি সমাজে এৰি থোৱা নাৰীবধী আৰু কলিত সমুদ্ৰযাত্ৰা কৰা মানুহ এটাৰ শ ছোৱা আৰু সৎকাৰ কৰাৰ কাৰণে দুই ভায়েকৰ সৈতে গঞাৰ ওচৰত ক্ষমা ভিক্ষা কৰি যথাশাস্ত্ৰ পা-পৰাচিত হয় আৰু গঞাক এটা ভোজ দিয়ে তেন্তে তেওঁক সমাজত ৰখা হব, নহলে তেওঁক আজিৰপৰাই এঘৰীয়া কৰি যোৱা হল। পা-পৰাচিত হবলৈ নহল আৰু সেইদেখি মই আজি পৰ্য্যন্ত এঘৰীয়া হৈয়ে আছোঁ। আমাৰ ঘৰৰ নামো হল তেতিয়াৰেপৰা এঘৰীয়া মৌজাদাৰৰ ঘৰ। হওক।

বাণভট্ট

—শ্ৰীযুত কিৰণচন্দ্ৰ গোস্বামী

সংস্কৃত সাহিত্যাকাশত যিসকল নক্ষত্ৰই জেউতি বিলাই অমৰত্ব লাভ কৰিব পাৰিছিল—সেইসকলৰ ভিতৰত বাণভট্ট এজন। অন্যান্য কবিসকলৰ দৰে এওঁৰো জীৱনী পোৱা টান। এই সংস্কৃত সাহিত্যাকাশৰ উজ্জ্বল নক্ষত্ৰৰ বিষয়ে যৎকিঞ্চিত আলোচনা কৰাই এই প্ৰৱন্ধৰ উদ্দেশ্য।

বাণভট্টৰ মাতৃ ৰাজদেৱী তেওঁৰ লৰাকালতে মৃত্যু হোৱাত, বাপেকেই তেওঁক মাতৃৱৎ লালন-পালন কৰি ডাঙৰ-দীঘল কৰে। বাপেকেই তেওঁৰ মানত মাতৃতুল্য আছিল। পিতৃবিয়োগ হোৱাত, তেওঁ গোটেই সংসাৰ অন্ধকাৰ যেন দেখিলে আৰু অনাই-বনাই দেশ ফুৰি অপাৰ জ্ঞানৰ অধিকাৰী হব পাৰিলে।

বাণভট্টৰ শেষ জীৱনৰ কথা অলপো পাৰলৈ নাই। বাণভট্টৰ কাদম্বৰীও সম্পূৰ্ণ নৌ হওঁতেই তেওঁ জীৱন-লীলা সম্বৰণ কৰে। তেওঁৰ পুতেকে কাদম্বৰীৰ উত্তৰ ভাগৰ পাতনিত লিখিছে যে, তেওঁ পুত্ৰৰ কৰ্ত্তব্য কৰিছে গৌৰৱৰ বাবে, কাদম্বৰীৰ শেষ-ভাগ ৰচনা কৰা নাই।

"যাতে দিবং পিতৰি তদ্ব সৈব সাৰ্দ্ধং বিচ্ছেদমাপদ্ভুবি যস্তু কথাপ্ৰবন্ধঃ। দুঃখং সতাং তদসমাপ্তিকৃতং বিলোক্য প্ৰাৰব্ধ এব স ময়া ন কবিত্ব দৰ্পাৎ।" ওপৰত দিয়া শ্লোকৰ পৰা বুজা যায় যে, তেওঁৰ পুতেকে কবি হবলৈ বুলি কাদম্বৰীৰ শেষভাগ ৰচনা কৰা নাই। মাত্ৰ পুত্ৰই পিতৃৰ কৰ্ত্তব্য কৰিছে। কাৰণ, তেওঁ সেই কৰ্ত্তব্য পালন কৰিবৰ কাৰণে অক্ষম।

কথিত আছে যে ময়ূৰ নামে এজন কবি বাণভট্টৰ সমসাময়িক; আৰু বাণভট্টৰ শহুৰেক। ময়ূৰ সেই সময়ত কুষ্ঠৰোগী আছিল আৰু তেওঁ 'সূৰ্য্যশতক' নামে এখন পুথি সূৰ্য্যৰ প্ৰশংসা কৰি লিখিলে আৰু সেই দুৰাৰোগ্যৰপৰা

আৱাহন



হাজোৰ হয়গ্ৰীৱ মাধৱৰ মূৰ্ত্তি



হাজোৰ গণেশ মন্দিৰ

[শ্ৰীযুত গৰ্গচন্দ্ৰ দাসৰ সৌজন্যত]

ভূয়েল অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা]

আবাহন



হয়গ্রীব মাধবল মন্দিৰ—হাজো

জুলেল অফ্ ইণ্ডিয়া প্রেছ, কলিকতা] [শ্রীযুত গর্গচন্দ্র দাসৰ সৌজন্যত।

মুক্ত পালে। বাণভট্টৰ তেওঁলৈ খিয়াল লাগিল আৰু তেৱোঁ দুৰ্গাক প্ৰশংসা কৰি 'দুৰ্গাশতক' নামে এখনি পুথি লিখিলে। মযূৰ আৰু বাণভট্ট সমসাময়িক আৰু শ্ৰীহৰ্ষৰ সভাপণ্ডিত যে তাত অলপো সন্দেহ নাই—

"অহো প্ৰভাৱো বাগদেব্যা যমাতঙ্গ দিবাকৰঃ।
শ্ৰীহৰ্ষস্যাভবৎ সভ্যঃ সমোবাণ ময়ূৰয়োঃ॥"

বাণভট্ট কোন সময়ৰ কবি এই বিষয়ে বহুত পণ্ডিতৰ নানা মত আছে। কিদিকল কোন সময়ত আছিল, এই বিষয়ে জানিবলৈ হলে সেই সময়ৰ সমসাময়িক লোক, কবিৰ বচনা, আৰু ভ্ৰমণকাৰীৰ টোকাৰ বাহিৰে অন্য প্ৰকাৰে পাব নোৱাৰি। চীনদেশৰ হিউএনচাং নামে এজন ভ্ৰমণকাৰী খৃঃ ৬২৯বপৰা ৬৪৫ খৃঃ লৈকে ভাৰতবৰ্ষত থাকি ভ্ৰমণৰ টোকাত লিখি থৈ গৈছে যে, সেই সময়ত উত্তৰ ভাৰতত হৰ্ষনামে এজন ক্ষমতাশালী বজাই ৰাজত্ব কৰিছিল। বাণভট্ট সেই বজাৰে সভাপণ্ডিত আছিল বুলি আমি জানো। হৰ্ষই খৃঃ ৬০৬ৰ পৰা ৬৪৮ খৃঃ লৈকে ৰাজ্য-শাসন কৰিছিল। ইয়াৰপৰা ইয়াকে কব পাৰি যে বাণভট্ট ৬ষ্ঠ শতাব্দীৰ শেষ ভাগ আৰু ৭ম শতাব্দীৰ আগ ছোৱাতে প্ৰাদুভূৰ্ত হৈছিল।

বাণভট্টই বচনা কৰি থৈ যোৱা 'কাদম্বৰী'খন অষ্টম শতাব্দীৰ শেষভাগতহে জন-সমাজত জনাজাত হয়। সংস্কৃত সাহিত্য আলোচনাকাৰীৰ পক্ষে বাণভট্টৰ অৱস্থিতিৰ কাল এটা ৰাগতিয়াল বিষয়। বাণভট্টই "হৰ্ষচৰিতৰ" পাতনিত বহুত কবিৰ নাম আৰু অন্যান্য কবিসকলৰ বচনাৰ কথা উল্লেখ কৰিছে। ইত্যাদি কাৰণৰ পৰা কব পাৰি যে, এই জনা কবি ৭ম শতাব্দীৰ আগছোৱাতে প্ৰাদুভূৰ্ত হৈছিল।

'বাসবদত্তা' গ্ৰন্থ প্ৰণেতা সুবন্ধুক ডঃ পিটাৰ্ছনে বাণভট্টৰ পিছৰ কবি বুলি কব খোজে। সুবীসকলৰ অন্বেষণৰ কাৰণেহে এই বিষয়টি থোৱা হ'ল।

পুৰণি লিখকসকলে কাত্যায়নৰ বচনাকে আখ্যায়িকা বুলি কয়। কাত্যায়নে মত দিয়ে যে মহাভাৰতৰ নিচিনা কিতাপক আখ্যায়িকা বুলিব নোৱাৰি। ই সম্পূৰ্ণ স্বাধীন আৰু মহাভাৰততকৈ বেলেগ। আখ্যায়িকা আৰু কথাৰ বিষয়ে বিশদ আলোচনা কৰিবৰ কাৰণে এই প্ৰবন্ধত ঠাইৰ নাটনি। গতিকে সেইবিষয়ে আগলৈ লিখিবৰ মন থাকিল।

বাণভট্টই বচনা কৰা গ্ৰন্থৰ ভিতৰত হৰ্ষচৰিত আৰু কাদম্বৰীয়েই প্ৰধান। তাৰ বাহিৰেও চণ্ডীশতক নামে এখনি গ্ৰন্থ প্ৰণয়ন কৰিছিল বুলি আগেয়ে উদ্ধৃতিয়াই অহা হৈছে। 'পাৰ্শ্বতী-পৰিণয়' নামে এখন নাটকো বাণবে বচিত বুলি বহুত পণ্ডিতে মত প্ৰকাশ কৰে। 'পাৰ্শ্বতী-পৰিণয়'ৰ প্ৰস্তাৱনাত পোৱা যায় যে, বাৎস্য গোত্ৰৰ কোনো এজন বাণে 'পাৰ্শ্বতী-পৰিণয়' বচনা কৰিছিল। কাদম্বৰী প্ৰণেতা জনো বাৎস্যগোত্ৰ-সম্ভূত। যদিও নাটকখনি উচ্চ খাপৰ নহয়, তথাপি নাটকত কিছুমান নিজা বৈশিষ্ট্য আছে আৰু বহুত কথাত কালিদাসৰ কুমাৰসম্ভৱৰ লগত মিলে। সেই কাৰণে কিছুমান পণ্ডিতে এইখন বাণভট্টৰ বচনা নহয় বুলি কয়। ইয়াৰ বাহিৰেও বহুত ভাব আৰু ভাষা বাণভট্টৰ আন দুখন গ্ৰন্থৰ লগত মিল দেখা যায়। এনে বিলাক কাৰণতো বহুত পণ্ডিতে বাণভট্টৰ বচনা বুলি কবলৈ দ্বিধা বোধ কৰে।

কাব্যপ্ৰকাশ নামে এখন গ্ৰন্থত আমি পাওঁ যে, বাণভট্টই হৰ্ষদেৱৰপৰা গ্ৰন্থ বচনাৰ বাবে ধন পাইছিল। কাশীৰ দেশৰ পণ্ডিতৰ কথাতে হৰিভদ্ৰ কবি কিছুমানে "ৰত্নাৱলী" নামে নাটকখনিও বাণভট্টবে বচিত বুলি কব খোজে। হৰ্ষদেৱৰ দান স্বৰূপে বাণভট্টই এই নাটক বচনা কৰি তেওঁৰ নামত উৎসৰ্গ কৰে। এই কথা কিমান দূৰ সত্য আমি কব নোৱাৰোঁ।

বাণভট্টই কাদম্বৰীৰ জকাটো বৃহৎকথা নামে এখনি পুথিবপৰা নোৱা। এই বৃহৎকথা পুথিখন পৈশাচী ভাষাত লিখা আৰু আজিকালি সেই পুথি পাবলৈ নাই। বাণভট্টই সেই পুথিৰ জঁকাটো লৈ নিজ অভিৰুচিমতে নিজৰ ভাষাৰে বহল লগাই নিজৰ সুকীয়া কবি তুলিলে। কালিদাসে যিদৰে শকুন্তলা, ৰঘুবংশ যথাক্ৰমে মহাভাৰত আৰু ৰামায়ণৰপৰা লৈ নিজৰ সুকীয়া বৈশিষ্ট্যবে নিজস্ব কবি তুলিলে, সেইদৰে বাণভট্টৰ কাদম্বৰীৰ জকাটো যদি বৃহৎকথাবে তত্ৰাচ নিজৰ অভিৰুচি মতে চৰিত্ৰ অঙ্কন কৰিছিল।

বাণ সংস্কৃত সাহিত্যাকাশের এটি উজ্জ্বল নক্ষত্র। প্রাচীন পণ্ডিত আর পাশ্চাত্য পণ্ডিতসকলে বাণভট্টকে ডাঙের লিখাক বুলি একবাক্যে স্বীকার করিছে। সংস্কৃত পুথির সমালোচকসকলে পাঞ্চালী ভাষার ধরণের লিখা উৎকৃষ্ট রচনা বুলি মত প্রকাশ করিছে। তেরেই সংস্কৃতর গদ্য সাহিত্য লিখোতার ভিতরত প্রথম।

বাণভট্ট প্রণীত কাদম্বরীখন বিবিলাক বিশিষ্টতার দ্বারা সুধী সমাজত আদৃত, তারে অলপ আভাস দি এই প্রবন্ধর সামবনি মাবিম।

অতি নিপুণতারে সৈতে বাণভট্টই কাদম্বরীর চরিত্র অঙ্কন করিছে আরু এই চরিত্রাঙ্কনত কৃতকার্য্যও হৈছে। কাদম্বরীর আটাই কিটা চরিত্রই জীয়ন হীন পুতলা নহয়, সজীর যেন অনুমান হয়। মহাশ্বেতার শরীরর অনুপম সৌন্দর্য্যর লগতে অন্তরর পরিত্রতার ভাব বিরাজমান। পত্রোতার মনত গভীর ভাব জন্মারর কারণেই বর্ণনাও অতি নিপুণতা আরু কলা কুশলতারে করা হৈছে। ইংলণ্ডর কবি সম্রাট খেক্‌স্পিয়েরর লগত তুলনা করিলে দেখা যায় যে, বাণভট্টই বীর চরিত্র বর্ণনাতকৈ বীর রমণী বর্ণনাত বেছি সিদ্ধহস্ত আরু তার প্রমাণ কাদম্বরীর মহাশ্বেতা বর্ণনাতে ফটফটীয়াকৈ জিলিকি আছে। বাণভট্টই কাদম্বরীতে পর্যবেক্ষণর সমূহ শক্তি, কল্পনার চরম নিদর্শন, আরু সহানুভূতির উৎকৃষ্ট প্রমাণ দেখুৱাইছে।

যদিও কাদম্বরীখন প্রেম কাহিনীরে পূর্ণ, তথাপি সেই প্রেম কাহিনী বর্ণনাত অলপো অমার্জ্জিত রুচির চিন চাবেই নাই। এই বিষয়ত "দশ কুমার চরিত" খন ইয়ার সম্পূর্ণ বিপরীত দেখা যায়। বাণভট্টর রচনা দীঘল দীঘল সমাসান্ত শব্দরে পরিপূর্ণ আরু তেওঁ ইচ্ছা করিলে পাঠকর মনস্তত্তির অর্থে সরু করিব পরা শক্তিও আছিল। এই প্রসঙ্গত কপিঞ্জলে পুণ্ডরীকক দিয়া উপদেশর কথা উল্লেখ করিব পরা যায়। বাণভট্টই যদিও গদ্য লিখিছিল, তত্রাচ সেই গদ্য কবিতা বসেরে ভরপুর। উপমা, রূপক আদি অনুপ্রাসেরে সৈতেও বাণভট্টর রচনা পুর। দীপক ছন্দ, সহোক্তি, বিরোধ আদি ছন্দ অতি বেছি পরিমানে তেওঁর রচনাত পাবলৈ আছে।

তেওঁ অকল বজার দরবার বা পাত্র মন্ত্রীরে সুনিপুণ পর্য্যবেক্ষক নাছিল, তেওঁর মানুহর প্রকৃতিকো ভালদরে পর্য্যবেক্ষণ করিব পরা শক্তি যথেষ্ট আছিল। তেওঁর বৃদ্ধ-ভ্রাবিড় সন্ন্যাসীর বর্ণনা যদিও অলপ দীঘল চানেকীয়া, তত্রাচ তেওঁর ঘৃণার প্রতি তীক্ষ্ণ দৃষ্টিতো ভাল দরে ফুটি ওঠাইছে। তেওঁ যি সময়ত অন্তর্হিত আছিল, সেই সময়র বজার দরবার আরু মানুহর আচার-নীতির সূক্ষ্ম বর্ণনা তেওঁর লিখনিত আজিও জীৱন্ত হৈ জিলিকি আছে। বচিত হর্ষচরিতত ৭ম শতাব্দীর মানুহর আচার-ব্যবহার সম্যক্ আলোচনা করা দেখা যায়।

বাণভট্ট এজন প্রকৃতি প্রিয় পুরুষ যে আছিল তাত অলপো সন্দেহ নাই। তেওঁর ফুলর বর্ণনা অতি মনোমুগ্ধকর। কাদম্বরীর চরিত্র এনে জীৱন্ত করি দিছে, যে পাঠকে সেই সময়ত চরিত্রর দুখত দুখী আরু সুখত সুখী হৈ নিজকে পাহরি পেলায়।

বাণভট্টর রচনার ভিতরত একেটা শব্দরে নানা ধরণর অর্থর ভাবত প্রয়োগ করাটো দোষর ভিতরত ধরিব পারি। কেতিয়াবা পাঠকে এনে দোখোর মোখোর শব্দর অর্থত কোনটো গ্রহণ করিব বা কোনটো বর্জ্জন করিব বিমোহত পরে। কাদম্বরীর প্রধান ঘটনার সাধুটোর লগতে সরু সরু সাধুবোর সন্নিবিষ্ট করি দিয়াত, পাঠকে মূল গল্পটোর প্রকৃত ঘটনা আয়ত্ত করাত অসুবিধা ভোগ করিব লগাত পরে।

বাণভট্টর সমাসুপাতিকর জ্ঞান অলপ কম আছিল বুলি কলেও অন্যত্র কোরা নহয়। মহাশ্বেতা আরু চণ্ডিকামন্দির বর্ণনাত অতি পাতকৈ প্রাতাক কথাটোকে বর্ণনা করিবলৈ গোরাত, পাঠকে সেই বর্ণনা পঢ়ি হতাশর চমুনিয়হ পেলায় লাগে। অর্থাৎ বহুল বর্ণনা হোরাত পাঠকে পঢ়ি আমনি পায়। সাধারণতে দেখা যায় যে, কিছুমান কবিয়ে বতিপুত্রা সন্ধ্যা, সূর্য্যোদয়, বীর রমণীর অঙ্গ প্রত্যঙ্গ বর্ণনাতে অতিশয়রূপে আরূঢ় থাকে। মুঠতে কবলৈ গলে, বাণভট্টর আন আন কবিসকলর শাবীতে আসন দিব লাগিব।

ধম্মপদ

অত্তবগ্‌গো (দ্বাদশ)

—শ্রীযুত উপেন্দ্রচন্দ্র লেখাক বি-এ

আত্মাবর্গ

১৫৭। আত্মাক যদি প্রিয় বুলি জানা, তেনেহলে ভালকৈ রক্ষা করিবা। পণ্ডিতলোকে তিনিয়াময় ভিতরত অন্ততঃ একযামো সৎকর্ম্মর দ্বারা আমার পুষ্টিসাধন করে।

১৫৮। কর্ত্তব্য কামত আগেয়ে নিজকে নিবিষ্ট করি পিছত আনক উপদেশ দিবা। পণ্ডিতলোকে এনে করিলে কষ্ট নাপায়।

১৫৯। আনক উপদেশ দিয়া দরে যদি কোনোরে নিজে করে, তেনেহলে নিজে সংযত হৈ আনক দমন করিব পারে। আত্মাই যথার্থতে দুর্দ্দমনীয়।

১৬০। আত্মাই আত্মার নাথ, আন নাথ আরু কোন আছে? আত্মাক সংযত করিব পারিলেই লোকে দুর্ল্লভ নির্ব্বান লাভ করে।

১৬১। শিলাময় মণিক হিবাই যিদরে খণ্ড খণ্ড করে, সেইদরে নিজে করা আরু নিজরপরা হোরা পাপেও মূর্খক মথন করে।

১৬২। গতাই সালগছক মেরাই থকার দরে যার আত্মাক দুর্নীলতাই আগুরি আছে, তাক শত্রুরে যেনে ইচ্ছা করে, সি নিজকে তেনে করি তোলে।

১৬৩। বেয়া আরু নিজর হানিকর কাম করা সহজ, কিন্তু ভাল আরু হিতকর কার্য্য পালন করা টান।

১৬৪। মিছা দৃষ্টি আশ্রয় করি পূজনীয় আরু ধর্ম্মপরায়ণ লোকর শাসন অরহেলা করি মানুহে নীহর গুটির দরে নিজর নাশর কারণে ফল উৎপন্ন করে।

১৬৫। নিজে পাপ করি নিজেই কষ্ট পায়; নিজে পাপ নকরিলে নিজেই পরিত্র হৈ থাকে। শুদ্ধি আরু অশুদ্ধি নিজর; আনে আনক শুদ্ধ করিব নোরারে।

১৬৬। পরর কারণে বহুত কর্ত্তব্য থাকিলেও নিজ স্বার্থ ত্যাগ করা উচিত নহয়। নিজকার্য্য ভালকৈ জানি তাতে নিবিষ্ট থকা উচিত।

লোকবর্গ

১৬৭। হীনর ধর্ম্ম অনুসরণ নকরিবা, প্রমত্তভারে জীৱন যাপন নকরিবা, মিছা দৃষ্টিরে কাম নকরিবা, পুনর্জ্জন্ম-বৃদ্ধিকারী নহবা।

১৬৮-৬৯। ভিক্ষাবপরা পোরা অন্ন গ্রহণ করিবা, এই ধর্ম্মপালনত এলাহ নকরিবা। এই ধর্ম্মপালনকারী লোকে ইহলোক পরলোক দুই লোকতে সুখে থাকে। অসৎভারে অর্থাৎ নিসিদ্ধ ঠাইরপরা ভিক্ষা গ্রহণ নকরিবা।

১৭০। পৃথিবীক পানীর বুবুবুবনি আরু মরীচিকার দরে দেখা লোকক যমে দেখা নাপায়।

১৭১। আহা, এই জগতক বিচিত্র রাজরথর দরে দেখাছি। তাত মূর্খবিলাক নিমগ্ন হয়, কিন্তু জ্ঞানী আসক্ত নহয়।

১৭২। আগেয়ে প্রমত্ত হৈ পিছত অপ্রমাদী হলে মানুহে মেঘবপথা মুক্ত হোরা চন্দ্রর দরে জগতক উজ্জ্বল করে।

১৭৩। যার পাপকর্ম্ম সৎকর্ম্মর দ্বারা আবৃত হয় তেনেই সেইদরে জগতক উজ্জ্বল করে।

১৭৪। এই পৃথিবী অন্ধকারময়, ইয়াত কম মানুহেই ভালকৈ দেখা পায় আরু অলপ মানুহেই জালরপরা মুক্ত হোরা চরাইর দরে স্বর্গলৈ যাব পারে অর্থাৎ সুগতি বা নির্ব্বান লাভ করে।

১৭৫। হংস যা সাধুসকল আদিত্য পথেরে গমন করে,

লোকে ঋদ্ধিৰে আকাশত ফুৰে জ্ঞানীলোকে সসৈন্যে মাৰক পৰাজয় কৰি পৃথিবীৰপৰা পৰিত্ৰাণ পায়।

১৭৬। যি লোকে সত্যধৰ্ম্ম লঙ্ঘন কৰিছে, যি জন মিছলীয়া, যি জনে পৰলোকলৈ ভয় নাৰাখি আওহেলা প্ৰকাশ কৰে তেওঁ নকৰা পাপ একো নাই।

১৭৭। কৃপণে দেৱলোক নাপায়। মূৰ্খই দানৰ প্ৰশংসা নকৰে; কিন্তু জ্ঞানীয়ে দানৰ প্ৰশংসা কৰে আৰু তাৰ দ্বাৰাই পৰলোকত সুখী হয়।

১৭৮। পৃথিবীৰ একমাত্ৰ ৰজা, স্বৰ্গ গমন বা সকলো লোকৰ আধিপত্যতকৈ স্ৰোতাপত্তিফল শ্ৰেষ্ঠ। [বৌদ্ধধৰ্ম্ম মতে 'স্ৰোতাপত্তি'-মাৰ্গত জীৱ প্ৰৱেশ কৰিলে পৃথিবীলৈ আৰু সাতবাৰ আহিব লাগে।]

বুদ্ধবৰ্গ

১৭৯-১৮০। যাৰ ৰাগ, দ্বেষ, মোহ আদি জয় হৈছে, পাপে অনুসৰণ নকৰে তেনে মুক্ত আৰু সৰ্ব্বজ্ঞ বুদ্ধক আৰু কোন পথেৰে নিব পাৰিবা? যাক মায়াজাল আৰু বিষয় তৃষ্ণাই ইচ্ছামতে ঘূৰাব নোৱাৰে সেই মুক্ত আৰু সৰ্ব্বজ্ঞ বুদ্ধক কোন পথেৰে নিবা?

১৮১। যিসকল পণ্ডিতলোক সদায় ধ্যানপৰায়ণ আৰু ক্লেশ দূৰ কৰাত ব্যস্ত তেনে স্মৃতিমন্ত সম্বুদ্ধসকলৰ বুদ্ধত্ব দেৱতাসকলেও কামনা কৰে।

১৮২। মানবী জনম দুৰ্ল্লভ, মৰণশীল মানুহৰ জীৱন কষ্টকৰ, ধৰ্ম্মশ্ৰৱণ দুৰ্ল্লভ আৰু বুদ্ধসকলৰ উৎপত্তি দুৰ্ল্লভ।

১৮৩। কোনো ৰকমৰ পাপকাম নকৰা, মঙ্গলকামৰ অনুষ্ঠান কৰা আৰু নিজৰ চিত্ত নিৰ্ম্মল ৰখা—এয়েই বুদ্ধৰ অনুশাসন।

১৮৪-১৮৫। ক্ষান্তি নামৰ তিতিক্ষাই পৰম তপস্যা, বুদ্ধসকলে কয় নিৰ্ব্বান সৰ্ব্বশ্ৰেষ্ঠ। পৰঘাতী লোক প্ৰব্ৰজিত নহয়, লোকক পীড়ন কৰা লোক শ্ৰমন হব নোৱাৰে। কাকো নিন্দা নকৰিবা, প্ৰহাৰ নকৰিবা, চিত্তক থিৰ কৰি ৰাখিবা, ভোজনত মিতাহাৰী হবা, নিৰ্জ্জন ঠাইত বাস কৰিবা আৰু সদায় মনক যোগযুক্ত ৰাখিবা—এয়ে বুদ্ধসকলৰ আদেশ।

১৮৬-১৮৭। সোণৰ মুদ্ৰা বৰষিলেও কামনা তৃপ্তি নহয়, কামনা অলপ সোৱাদযুক্ত আৰু দুঃখকৰ, ইয়াকে জানি পণ্ডিতলোকে দিব্য কামনাতো আসক্তি প্ৰকাশ নকৰে আৰু সম্বুদ্ধৰ শিষ্যই তৃষ্ণাক্ষয় কৰাত ৰত থাকে।

১৮৮-১৮৯। মানুহ ভয়ত বিহ্বল হৈ পৰ্ব্বত, বন, গছ, চৈত্য আদি নানা ঠাইৰ শৰণ লয়। কিন্তু এইবিলাক নিৰাপদ শৰণ বা উত্তম শৰণ নহয়। এইবিলাকত আশ্ৰয় লৈ সকলো দুখৰপৰা ত্ৰাণ পোৱা নাযায়।

১৯০-১৯২। যদি কোনোৱে বুদ্ধ, ধৰ্ম্ম আৰু সঙ্ঘৰ শৰণ লয় আৰু দুখৰ উৎপত্তি, দুখৰ অন্তকাৰী অষ্টাঙ্গমাৰ্গ জ্ঞানেৰে সৈতে দেখে তেনেহলে সিয়েই উত্তম আশ্ৰয়। এই আশ্ৰয় ললে সকলো দুখৰপৰা মুক্ত হব পাৰি।

১৯৩। বুদ্ধৰ দৰে পুৰুষ শ্ৰেষ্ঠ দুৰ্ল্লভ, তেনেলোকৰ সকলো ঠাইতে জন্ম নহয়। তেনে মহাত্মা য'তে জন্ম গ্ৰহণ কৰে, সেই কুলৰ সৌভাগ্য বৰ্দ্ধন হয়।

১৯৪। বুদ্ধসকলৰ জন্ম সুখজনক, সদ্ধৰ্ম্মৰ উপদেশ সুখকৰ, সঙ্ঘৰ একতা সুখদায়িকা—একতাৱদ্ধসকলৰ তপস্যা সুখকৰ।

১৯৫-১৯৬। যিজনে সকলো প্ৰপঞ্চ অতিক্ৰম কৰিছে, শোক মোহ আদি পাৰ পাইছে, সকলো বাসনাৰপৰা মুক্ত হৈছে, যাৰ ক'তো ভয় নাই এনে পূজাৰ্হ বুদ্ধ শ্ৰাৱকসকলক যি পূজা কৰে, কোনো লোকেই তেওঁৰ পুণ্যৰ কোনো সংখ্যা কৰিব নোৱাৰে।

অষ্ট্ৰেলিয়া ভ্ৰমণ

(ৱাল্‌টন্ শিবিৰ)

—শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বি-এ বি-টি

এটা সুন্দৰ পকী ঘৰ; তাৰ আগফালে এখন ধুনীয়া ফুলনি; ফুলনিৰ চাৰিওপিনে 'হথৰ্ণ' গছৰ জেওৰা; জেওৰাৰ একাষেদি ভিতৰলৈ যাবৰ কাৰণে এটা বহল বাট; সেই বাটটোৰ মূৰত, আলিবাটৰ সীমাত, এখন কাঠৰ দুৱাৰ; দুৱাৰখনৰ ওপৰত, অৰ্দ্ধবৃত্তাকৃতিত, ওখকৈ লগোৱা আন এছটা কাঠ; তাত ইংৰাজীতে লিখা আছে,—"ৱাল্‌টন্ ট্ৰেইনিং কেম্প্।"

গাৰীখন সেই দুৱাৰেদি ভিতৰলৈ সোমাই গ'ল আৰু পকী ঘৰটোৰ সন্মুখত ৰ'ল।

মই গাৰীৰপৰা নমা মাত্ৰকেই এজন ভদ্ৰলোক আহি, সোধ্‌পোছ্ নকৰাকৈ বিছনাখন গাৰীৰপৰা দাঙি লৈ, মোক তেওঁৰ পাছে পাছে যাবলৈ কলে; মই নিৰুত্তৰ হৈ, গাৰোৱানক বিদায় দি তেওঁৰ পাছে পাছে যাবলৈ ধৰিলো।

ঘৰৰ বাহিৰেদি লাহে লাহে গৈ পাছ ফালে উপস্থিত হলোঁ; তাত এখন বহল পথাৰ; পথাৰৰ চাৰিওফালে সৰু সৰু তম্বু টানিছে; কেইজনমান ডেকা পথাৰৰ মাজত বৃত্তাকৃতিত থিয় হৈ, প্ৰত্যেকে দুহাতে দুডাল, একফুটমান দীঘল কাঠৰ বাৰি লৈ টুং টাং শব্দ কৰি ঘূৰি ঘূৰি নাচিব ধৰিছে; মাজতে এজনে তাল ৰাখি ঢোল বজাব ধৰিছে; খবৰ কৰি জানিব পাৰিলো যে এওঁলোকেই নিখিল ভাৰতৰ স্কাউট্ প্ৰতিনিধি; কৃষ্ণ-নাচ শিক্ষা কৰিব ধৰিছে।

পথাৰৰ এচুকত কেইজনমান হৃষ্ট-পুষ্ট ধুনীয়া ল'ৰা স্কাউটৰ পোছাক পিন্ধি কচৰৎ কৰিব ধৰিছে। ল'ৰাৰ ভিতৰতে এজনে কচৰৎ পৰিচালনা কৰিছে। পাছত জানিব পাৰিছিলো যে কচৰৎ কৰি থকা ল'ৰাবিলাক পাঞ্জাবৰ দেশী ৰজাবিলাকৰ বংশধৰ। তেওঁলোকক মাজে মাজে তালৈ আনি হগ ছাহাবে স্কাউটিং শিক্ষা দিয়ে।

পথাৰৰ মাজেদি বাট দেখুৱাই নি ভদ্ৰলোকজনে মোক এটা তম্বুৰ ভিতৰত এডোখৰ ঠাইত বিছনাখন পাৰি লবলৈ কৈ ওলাই গ'ল। মোৰ এনেয়ে বৰ ভাগৰ লাগিছে, তদুপৰি তিনিদিন ভাত নাই। তম্বুৰ ভিতৰত ধূলিবোৰ দেখি তৎক্ষণাৎ বিছনা পাৰিবলৈ অলপ হেলা আহিল; ভাগৰ পলাবৰ মনেৰে বিছনাখনৰ ওপৰতে বহি পৰিলো।

তম্বুখনৰ ভিতৰত ছয় জনৰ ঠাই; এফালে তিনিখন বিছনা পতা আছে আৰু আনফালে দুয়ো কাষে দুখন পতা আছে; মাজত এখনৰ ঠাই খালী আছে আৰু সেই ঠাইতে মোৰ বিছনা পাতিব লাগে।

এইবিলাক কথা ভাবি-চিন্তি বহি থাকোতে এজন ৰাজকুমাৰ আহি কলে, "মিঃ হগ্ আহিছে, আপোনাক মাতিছে।" মই 'বাৰু, গৈছো' বুলি কৈ তেওঁক বিদায় দিলো।

ৰেল্‌জাহাজত ফুৰিলে স্বাভাৱিকতে অলপ বেছি খীণাওঁ; ইপিনে পেটত ভাত নাই, মূৰৰ চুলিবোৰ খেলি-মেলি হৈ আছে, ডাঢ়িও খুৰাব পৰা নাই; পিন্ধি থকা স্কাউটৰ পোছাকটি ময়লা হৈছে; এনে অৱস্থাত ছাহাবক দেখা কৰিব লগা হোৱাত অলপ বেয়া লাগিছিল; তথাপি বেগাবেগিকৈ ছাহাবৰ ওচৰলৈ গৈ স্কাউটৰ ধৰণে তিন্‌টা আঙুলিৰে অভিবাদন কৰিলো। ছাহাবে অভিবাদন গ্ৰহণ কৰি, হাঁহি মাৰি মোৰ ওচৰলৈ আহি বাওঁ হাতখন আগবঢ়াই দিলে; মইও মোৰ বাওঁ হাতখন আগবঢ়াই দি

কৰমৰ্দ্দন কৰিলো। মোৰ হাতখন চেঁচা পাই তেওঁ সুধিলে, "তোমাৰ হাতখন বৰ চেঁচা পৰিছে, ৰাতিপুৱা চাহ খাইছা নে নাই?" মই নাই খোৱা বুলি উত্তৰ দিয়াত তেওঁ মোক ঠান্দা লগাবলৈ হাক দি, এজন স্কাউটাৰক চাহ আনি দিবলৈ কৈ বিদায় দিলে।

তম্বুলৈ ঘূৰি আহি বিছনাখন পাৰি ললো। হগ ছাহাবৰ লগত কথা পাতি অলপ ভাল লাগিল; কাৰণ তেওঁক বৰ অস্তি-ফস্তি থকা ছাহাব যেন নালাগিল, ঘৰুৱা ছাহাব যেন হে লাগিল।

এটা ডাঙৰ 'মগ'ত প্ৰায় আধাসেৰমান চাহ আৰু দুডোখৰ ৰুটি লৈ এজন মানুহ আহি উপস্থিত হ'ল। পিয়াহ লাগি আছিল, গোটেইখিনি খাই শেষ কৰিলো।



লাহোৰৰ ৱালটন ট্ৰেইনিং স্কুল—স্কাউটসকলৰ কেন্দ্ৰ

এনেতে আন এজন স্কাউটাৰ আহি কৈ গ'ল যে, মোৰ চাহ খোৱা শেষ হ'লে কৃষ্ণ নাচত যোগ দিবলৈ ছাহাবে কৈ গৈছে।

যদিও সেই সময়ত কোনো নাচত যোগ দিবলৈ মোৰ ইচ্ছা নাহিল, তথাপি স্কাউট যেতিয়া নেতাৰ আদেশ বিনা প্ৰশ্নে মানিবই লাগিব, নহলে স্কাউটৰ কলঙ্ক হব। গতিকে সময় নষ্ট নকৰি আন আন প্ৰতিনিধিবিলাকৰ লগত কৃষ্ণনাচ শিকিবলৈ ধৰিলো।

প্ৰায় ১০টামান বজাত ছুটী পাই, গা-পা ধুই মধ্যাহ্ন ভোজন কৰিবলৈ গলো। পথাৰৰ এচুকত মুকলি ঠাইত চাৰিটা মাটিৰ চৌকা বান্ধি তাৰ ওপৰত কেইখনমান টিনপাত দিছে। তাৰে দুটা চৌকাত ৰাজকুমাৰবিলাকে নিজে নিজে ৰান্ধি খায় আৰু আন দুটাত আমাৰ কাৰণে দুজন ৰান্ধনিয়ে ৰুটি, মাংস আৰু এখন নিৰামিষ আঞ্জা ৰান্ধে।

ৰান্ধনি দুজন দেখিলে সিহঁত কি জাতৰ বা কি ধৰ্ম্মৰ একো অনুমান কৰিব নোৱাৰি; লাজতে সোধাও নহ'ল। সুধিয়েই বা লাভ কি? সিহঁতৰ পিন্ধা কাপোৰবিলাক বৰ অপৰিষ্কাৰ; গা-পা ধুই ৰান্ধে বুলি অনুমান নহ'ল। সিহঁতে পাঞ্জাবী ভাষা কয়; পাঞ্জাবী ভাষাটো হিন্দী, পাৰ্চ্ছী আৰু উৰ্দ্দু ভাষাৰ সংমিশ্ৰণত হোৱা ভাষা; গতিকে মই ভালকৈ বুজিব নোৱাৰো। ভঙা ভঙা হিন্দীত কথা ক'লে সিহঁতে ভালকৈ বুজিব নোৱাৰে। বাধ্য হৈ আকাৰে ইঙ্গিতে কথা চলাব লগাত পৰিল।

থালখন নি সিহঁতৰ আগত ধৰিলে দুখন 'ছপটি' অৰ্থাৎ পাঞ্জাবীবিলাকে খোৱা ৰুটি, আৰু মাংস নাইবা নিৰামিষ টৰকাৰী দিয়ে। মই নিৰামিষ খাওঁ বুলি কোৱাত মোক টৰকাৰী আৰু অলপ আচাৰ দিলে। তাকে লৈ ঘাঁহনি পথাৰত বহি খাবলৈ ধৰিলো। ভোকত সকলোৱেই ভাল লাগে; খাই বেয়া নালাগিল; কিন্তু ভাত যে নাপাম এইটো দৃঢ় বিশ্বাস হ'ল।

উৰিষ্যাৰ ধেন্-কানাল্ ষ্টেটৰ ৰাজকুমাৰ শ্ৰীগৌৰেন্দ্ৰ প্ৰতাপ সিংহ দেৱ আহি মোৰ ওচৰতে বহি হাঁহি হাঁহি খাবলৈ ধৰিলে। তেওঁ বোধকৰো জীৱনত কেতিয়াও এনেকুৱা ভোজন কৰা নাছিল; তথাপি ৰং মনেৰে আমি খোৱা-লোৱা শেষ কৰিলো।

খাই বই উঠাৰ পাছত যি সকলে দৃশ্য দেখাৰ কাৰণে লাহোৰ বা অমৃতসৰলৈ যাবৰ ইচ্ছা কৰে সেই সকলক যাবলৈ অনুমতি দিলে। সেই সময়ত অমৃতসৰত এখন ডাঙৰ প্ৰদৰ্শণী বহিছিল; কিছুমানে সেই প্ৰদৰ্শণী চাবলৈ ওলাল।

মোৰ পোছাক আৰু আন আন লাগতিয়াল বস্তু কিছুমান কিনিব লগা আছিল। সেইবিলাকৰ এখন ফৰ্দ্দ কৰি আবদুল মজিদ্ নামে এজন স্কাউটাৰক লাহোৰত কিনিবলৈ দি, মই আন আন স্কাউটাৰৰ লগত অমৃতসৰলৈ যাত্ৰা কৰিলো।

অমৃতসৰ

অমৃতসৰ ৰেলৱে ষ্টেশ্যনত নামি ৪ জনৰ মাজত একোখন টাঙা-গাৰী বন্দবস্ত কৰি লৈ প্ৰথমে স্বৰ্ণ-মন্দিৰ তাৰ পিছত জালিন ওৱালাবাগ্ আৰু প্ৰদৰ্শণী চাই শিবিৰলৈ উলটি যোৱাৰ মত কৰা হ'ল।

গাৰী অমৃতসৰৰ আলিবাটেদি যাবলৈ ধৰিলে; বাট বিলাক বহল; বাটৰ দুয়োকাষে পকীঘৰ; ঘৰবিলাক চকুত লগা নহয়; বাটত কলিকতাৰ নিচিনা জনতাও নাই; গতিকে আমি চহৰৰ সৌন্দৰ্য্য চাই চাই যাবলৈ ধৰিলো।

লাহে লাহে গাৰী গৈ এটা ঠেক্ বাটত সোমাল। বাটটো ইমান ঠেক্ যে তাত দুফালৰপৰা দুখন গাৰী আহিলে বৰ কষ্টেৰেহে পাৰ হব পাৰে। সময়ে সময়ে কোনোখন পাছলৈ হোঁহকাই আনিব লগাত পৰে। তদুপৰি বাটটোত জনতা ইমান বেছি যে আগৰফালে বাটত মানুহৰ মূৰৰ বাহিৰে আন একো দেখা নাযায়। গাৰী লাহে লাহে সাৱধানে অনবৰত ঘণ্টা বজাই বজাই জনতাৰ মাজেদি যাবলৈ ধৰিলে।

অনুসন্ধান কৰি জানিব পাৰিলো যে এইটোৱেই স্বৰ্ণ মন্দিৰলৈ যোৱা বাট; ইয়াৰ দুয়োকাষে দোকান; দোকানত নানা তৰহৰ ফলবিলাক সজাই থোৱা আছে; দেখিলে জিভাৰ পানী পৰিব খোজে। বাটটো দীঘলে প্ৰায় আধা মাইল; ইয়াত মন্দিৰলৈ যোৱা যাত্ৰীৰ সদায় এই ৰকম ভিৰ হয়। এই দৃশ্য দেখিলে গয়া আৰু কাশীৰ মন্দিৰলৈ যোৱা গলি বাটলৈ মনত পৰে আৰু ভাৰত-বাসীৰ বাট হেচা এটা স্বাভাৱিক প্ৰবৃত্তি বুলি ধাৰণা হয়; কাৰণ ইতিপূৰ্ব্বে এই বাটবিলাক ইমান ঠেক আছিল বুলি অনুমান কৰিব নোৱাৰি।

গাৰী গৈ অমৃত সৰোবৰৰ এটা ওখ পাৰৰ সৰু চ'তান এখনত ৰ'ল। আমি নামি গৈ জোতা সোলোকাই এজন জোতা ৰক্ষকৰ জিম্মাত ৰাখিলো। ওচৰত হাত-ভৰি ধুবৰ বন্দবস্ত আছে, তাত গৈ হাত-ভৰি ধুই ললো। তাৰ পাছত লাহে লাহে পকী খট্‌খটিৰে ১০।১২ ফুট্‌মান তললৈ নামি গৈ সৰোবৰৰ নামনিৰ পাৰত থিয় হলো।

এই পাৰটো চাৰিওফালে পকা-কৰা; চাৰিও পাৰৰ দূৰত্ব প্ৰায় আধা মাইলমান হব; বহলে প্ৰায় ১৫ ফুট। পাৰৰ বাহিৰ কাষে, চাৰিওফালে তিনি চাৰি মহলীয়া দালান; তাত শিখবিলাকৰ ধৰ্ম্মগুৰুবিলাক বাস কৰে। সৰোবৰৰ মাজত তিনি মহলীয়া স্বৰ্ণমন্দিৰ; তালৈ যাবৰ কাৰণে এটা পাৰৰ মাজৰপৰা এখন ধুনীয়া সাকো। পাৰত থিয় হৈ এখন স্বৰ্গ-পুৰীত উপস্থিত হোৱা যেন লাগিল।

এয়েই শিখবিলাকৰ প্ৰধান পীঠস্থান; তেওঁলোকে ইয়াক 'হৰ্-মন্দিৰ' অৰ্থাৎ হৰিমন্দিৰ বোলে। এই মন্দিৰ নিৰ্ম্মাণ সম্বন্ধে এটি সুন্দৰ পৌৰাণিক গল্প আছে।

শিখবিলাকে কয় যে সেই ঠাইত শ্ৰীৰামচন্দ্ৰ আৰু লৱ-কুশৰ লগত যুদ্ধ হয়। সেই যুদ্ধত শ্ৰীৰামচন্দ্ৰ সসৈন্যে ভূশায়ী হোৱাত মহৰ্ষি বাল্মীকিয়ে এই ঘটনা জানিব পাৰি, তালৈ গৈ তেওঁৰ কমণ্ডলুত থকা পানী মন্ত্ৰবলেৰে অমৃত



অমৃত চহৰৰ গ'ল্‌ডেন টেম্পল

সদৃশ কৰি তেওঁলোকৰ শৰীৰত নিক্ষেপ কৰাত সকলোৱে পুনৰ জীৱন লাভ কৰে। তাৰ পিছত মহৰ্ষি বাল্মীকিয়ে তেওঁৰ কমণ্ডলুত থকা বাকী অমৃত সেই ঠাইতে পেলাই দিয়ে। তেতিয়াৰপৰা সেই ঠাইত এটা কুণ্ড হয় আৰু তাৰ সদৃশ হয়। কিন্তু এই ঘটনা কোনেও জানিব পৰা নাছিল, আৰু বহুদিনলৈ ইয়াৰ গূঢ় তত্ত্ব কোনেও বাহিৰে কৰিব পৰা নাছিল।

শিখবিলাকৰ ৫ম গুৰু অৰ্জ্জুনৰ সময়ত পাঞ্জাবৰ

কোনো এঠাইত এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ সাত জনী ছোৱালী আছিল। এদিন তেওঁ ছোৱালী বিলাকক তেওঁৰ ওচৰলৈ মাতি আনি তেওঁলোকে কাক বেছি ভাল পায় এজনী এজনীকৈ সুধিলে। প্ৰথম ছজনীয়ে পিতাকক অৰ্থাৎ ৰজাক বেছি ভাল পায় বুলি ক'লে। সৰু জনীয়ে প্ৰথমতে ঈশ্বৰক, তাৰ পাছত স্বামীক আৰু তাৰ পাছত পিতাকক ভাল পায় বুলি ক'লে।

এই কথা শুনি ৰজাৰ বৰ খং উঠিল আৰু সৰু জনী ছোৱালীক এটা কুষ্ঠ-ৰোগীৰ লগত বিয়া দিলে। ৰাজ-কুঁৱৰীয়ে তেওঁৰ কুষ্ঠ-ৰোগাগ্ৰস্ত স্বামীৰ সেৱা-শুশ্ৰূষা কৰি দিন কটাবলৈ ধৰিলে।

এইদৰে দিনৰ পাছত দিন যাবলৈ ধৰিলে; ৰাজকুঁৱৰীয়ে ভগৱানক ধ্যান কৰি একান্ত মনে তেওঁৰ স্বামীসেৱা ব্ৰত পালন কৰিবলৈ ধৰিলে। ৰাজকুঁৱৰী হৈও আজি তেওঁ পথৰ ভিখাৰিণী, তথাপি ভ্ৰূক্ষেপ নাই। ভগৱান আৰু স্বামীৰ ওপৰত তেওঁৰ বিশ্বাস অটল-অচল।

এদিন ৰাজকুঁৱৰীয়ে তেওঁৰ স্বামীক অমৃত কুণ্ডৰ ওচৰত বহুৱাই থৈ ওচৰৰ গাওঁ এখনত ভিক্ষা কৰিবলৈ গৈছিল। এনেতে এজনী কাউৰী উৰি আহি সেই কুণ্ডত ডুব মাৰিলে। কিন্তু কি আচৰিত যে কাউৰীজনী ডুব মাৰি পানীৰপৰা ওলাই অহাৰ পিছত এটি সুন্দৰ ৰাজহংসত পৰিণত হ'ল। এই ঘটনা দেখি কুষ্ঠৰোগীজনে সেই কুণ্ডৰ পানীৰ কোনো অলৌকিক শক্তি আছে যেন অনুমান কৰি, লাহে লাহে চুচৰি-বাগৰি গৈ সেই কুণ্ডত নামি এটা ডুব মাৰিলে। কি আচৰিত যে ডুব মাৰি ওলাই অহাৰ পিছত তেওঁ এটি সুন্দৰ ৰাজকুমাৰত পৰিণত হ'ল। ইতিপূৰ্ব্বে তেওঁ ৰাজকুমাৰ আছিল; এজন ঋষিৰ শাপত তেনে দুৰ্দ্দশা ঘটিছিল; সেই কুণ্ডত ডুব মৰাৰ পিছত তেওঁ শাপৰ পৰা মুক্ত হ'ল।

ৰাজকুঁৱৰীয়ে ঘূৰি আহি দেখিলে যে তেওঁৰ স্বামী নাই, কিন্তু এটি সুন্দৰ ৰাজকুমাৰ কুণ্ডৰ পাৰত বহি আছে। ৰাজকুমাৰে লাহে লাহে তেওঁৰ ওচৰলৈ গৈ ক'লে যে তেৱেঁই তেওঁৰ স্বামী। এই কথাত কুঁৱৰীয়ে খং কৰি উত্তৰ দিলে,—তুমি কেতিয়াও মোৰ স্বামী নোহোৱা, কাৰণ মোৰ স্বামী কুষ্ঠ-ৰোগী। তুমি ছলনা কৰি মোৰ স্বামীক হত্যা কৰি এনেকুৱা কুবাক্য প্ৰয়োগ কৰিছা।

ৰাজকুমাৰে নানা ৰকমে তেওঁৰ পৰিৱৰ্ত্তনৰ ৰহস্য বুজাবৰ চেষ্টা কৰিলে, কিন্তু কুঁৱৰীয়ে তেওঁৰ কথাত মুঠেই বিশ্বাস নকৰিলে।

তেতিয়া দুয়োজনে তেওঁলোকৰ কাজিয়াৰ মীমাংসা কৰিবৰ কাৰণে তেওঁলোকৰ ধৰ্ম্ম-গুৰু অৰ্জ্জুনৰ ওচৰত গৈ উপস্থিত হ'ল। অৰ্জ্জুনে তেওঁলোকৰ বৃত্তান্ত শুনি, যোগবলে সকলো ঘটনা জানিব পাৰিলে আৰু কুঁৱৰীক তেওঁৰ স্বামীৰ পৰিৱৰ্ত্তনৰ সকলো ৰহস্য ভাঙি ক'লে। তেতিয়া দুয়োজনে আনন্দ মনে উলটি আহি সুখেৰে বাস কৰিবলৈ ধৰিলে।

এই ঘটনাৰ পাছত, কুণ্ডৰ তথ্য আৰু মাহাত্ম্য জানিব পাৰি, অৰ্জ্জুনে সেই ঠাইত কুণ্ডক কেন্দ্ৰ কৰি এটি সুন্দৰ পুখুৰী খনায় আৰু তাৰ মাজত এই স্বৰ্ণ-মন্দিৰ নিৰ্ম্মাণ কৰে। তেতিয়াৰপৰা সেই অমৃত-কুণ্ডৰ নাম অমৃতসৰ হয়।

আমি প্ৰথমতে সৰোবৰৰ চাৰিওফালৰ দৃশ্যবোৰ চাই ললো। ঠায়ে ঠায়ে দালানৰ গাত পৌৰাণিক ইতিহাসৰ অলপ অলপ আভাস দিয়া আছে। সৰোবৰৰ পানীৰ ৰং সেউজীয়া। ভাৰতৰ আন আন ধৰ্ম্মমন্দিৰবিলাকত থকা পুখুৰীবিলাকৰ যি দুৰ্দ্দশা ইয়াৰো সেয়েই হৈছে। ইয়াৰ পানী আজিকালিও নামত অমৃত, কিন্তু প্ৰকৃততে কলুষিত পানী। নহবই বা কিয়? আজি যে ইয়াৰ প্ৰতিষ্ঠাতা অৰ্জ্জুন নাই; আজি যে ধৰ্ম্মৰ কাৰণে আত্ম-বলিদান দিব পৰা গুৰু শিখবিলাকৰ ভিতৰত নাই; আজি যে নানকৰ নিচিনা সকলোকে আকোৱালি ল'ব পৰা গুৰু, শিখবিলাকৰ ভিতৰত নাই। সেই কাৰণে আজি শিখ-বিলাকে ধৰ্ম্মৰ সলনি অৰ্থৰ কাৰণে আত্ম-বলিদান দিবলৈ শিকিছে। শিখবিলাকৰ কিয়, আজি ভাৰতৰ সকলো ধৰ্ম্মৰ ওপৰত কলিৰ ঘোৰ প্ৰতাপ বিস্তাৰিত হৈছে। এইবিলাক কথা ভাবিলে মাথো এটি দীঘল হুমুনিয়াহ অন্তৰৰপৰা বাহিৰ হয়!

লাহে লাহে গৈ আমি সাঁকোৰ মুখ পালো। সাঁকোৰ

দুৱাৰ মুখত এটা সৰু দালান আৰু তাৰ আগত এখন বহল, পকা-বন্ধা চোতাল; তাত বহুত স্ত্ৰী পুৰুষ, ল'ৰা-ছোৱালী বহি ভক্তিভাৱে মন্দিৰৰ পিনে চাই আছে। দালানটোত দুটা বাট; সেই দৰে সাঁকোখনৰ সোঁ-মাজেদি এখন বেৰা দি, দুকাষে দুটা বাট কৰিছে। এটাৰে মন্দিৰৰ ভিতৰলৈ সোমাই যাব লাগে, আৰু আনটোৰে ওলাই আহিব লাগে। এই নিয়মৰ ব্যতিক্ৰম হব নোৱাৰে।

দুৱাৰ মুখত সদায় এজন দুৱৰী থাকে। যাত্ৰীৰ লগত মনিবেগ, কেমেৰা, লাঠী নাইবা আন কোনো ড'ঙৰ বস্তু থাকিলে তেওঁৰ হাতত জমা দি যাব লাগে, আৰু ওলাই আহিবৰ সময়ত লৈ আহিব লাগে।



স্বাউট এজনৰ ধেমালি—ভি-এল-দিল্লী

সাঁকোখনৰ দুয়োকাষে ১০।১২ ফুট আঁতৰত একোটা স্তম্ভ। এই স্তম্ভবিলাকৰ ওপৰৰ ক'লচীবিলাক সোণেৰে বন্ধোৱা। স্তম্ভবিলাক সংলগ্ন কৰি দুয়োকাষে লোহাৰ বেৰা।

মন্দিৰটো তিনি মহলীয়া; তৃতীয় মহলাৰ ওপৰফাল আৰু স্তম্ভবিলাক সোণেৰে বন্ধোৱা; সেই কাৰণে ইয়াৰ নাম স্বৰ্ণ-মন্দিৰ।

আমি গৈ মন্দিৰৰ তলৰ মহলাত সোমালোঁ। চাৰিও-ফালে এখন বাৰাণ্ডা আৰু মাজত এটা আহল-বহল কোঠা। বাৰাণ্ডাৰ চাৰিওপিনে, পানীত মানুহ পৰিব নোৱাৰাকৈ, লোহাৰ বেৰা আছে। কোঠাটোৰ এমূৰে থাপনা; তাৰ দুয়োকাষে মজিয়াত কঠ পাৰি ধৰ্ম্মপ্ৰাণ শিখ কিছুমান বহি আছে; থাপনাৰ আগত যাত্ৰীবিলাকে সেৱা কৰি দিয়া পইছাৰ এটা দ'ম; এই দ'মটো প্ৰায় ২॥ ফুটমান ওখ; প্ৰত্যেক দিনে এই দৰে প্ৰণামি উঠে। একাষে হাৰম-নিয়ম, মৃদঙ্গ আৰু মঞ্জিৰা লৈ কেইজনমান গায়কে সঙ্গীত কৰিব ধৰিছে। গীতবিলাক যদিও বুজিব নোৱাৰিলো তথাপি তাৰ মৰ্ম্মভেদী সুৰে টানি ৰাখিব ধৰিছিল; কিন্তু মোৰ লগৰীয়া বন্ধু এজনে সময় নাই বুলি কৈ হাতত ধৰি বলেৰে টানি নিলে।

দ্বিতীয় মহলালৈ উঠিবৰ কাৰণে কোঠাটোৰ এমূৰে এখন চিৰি। সেই চিৰিৰে ওপৰলৈ উঠি গলোঁ। এই মহলাত দুটা কোঠা—এটা সৰু, আনটো ডাঙৰ। সৰু কোঠাটোত এটা ওখ বেদী আছে; এই বেদীৰ ওপৰত বহি গুৰু এজনে 'গ্ৰন্থ ছাহেব' অৰ্থাৎ শিখবিলাকৰ প্ৰধান ধৰ্ম্মগ্ৰন্থ পাঠ কৰি আছে; ওচৰতে কেইজনমান শিখ আৰু কেইজনীমান বঙালী ভদ্ৰমহিলা বহি তেওঁৰ ব্যাখ্যা শুনি আছে। ড'ঙৰ কোঠাটোত কিছুমান মানুহ কঠ পাৰি নীৰৱে বহি আছে।

তাৰ পিছত আন এখন চিৰিৰে তৃতীয় মহলালৈ উঠিলোঁ। এই মহলাৰ মাজত এটা আহল-বহল কোঠা; তাৰ ভিতৰত এক ফুটমান ওখ এটা ডাঙৰ বেদী; এই বেদীৰ ওপৰত সদায় পৰিষ্কাৰ কাপোৰ পাৰি থয়। তাত কোনো মানুহ উঠিব নোৱাৰে; শিখবিলাকে ইয়াক গুৰুৰ বেদী বুলি কয়। যদিও এই বেদী থকা কোঠাৰ ভিতৰলৈ কোনো মানুহকে যাব নিদিয়ে তথাপি জাল্ দিয়া দৰজা আৰু খিৰিকীৰে ইয়াৰ ভিতৰখন ভালকৈ চাব পাৰি। এই কোঠাৰ চাৰিওফালে বহল বাৰাণ্ডা আৰু বাৰাণ্ডাৰ চাৰি চুকত চাৰিটা স্তম্ভ; এই স্তম্ভবিলাকৰ ওপৰলৈ উঠিবৰ কাৰণে একোখন সৰু সৰু চিৰি।

এই বিলাক চাই আমি লাহে লাহে বাহিৰলৈ ওলাই আহিলো; কিন্তু স্বৰ্ণ-মন্দিৰৰ অপৰূপ সৌন্দৰ্য্য আজিও চকুৰ আগত নাচি থকা যেন লাগে।

—আগলৈ

কথা আৰু সুৰ :—

সুৰচানেকি :—শ্রীমতী উষা বৰুৱা।

সুৰশিক্ষক শ্রীযুত বিষ্ণুপ্রসাদ বাভা।

গান :—শ্রীমতী গিৰিজা বৰুৱা (পিজি)।

গান*

দাদ্‌ৰা

উটি যা কপালী নাও।
উটি যা কপালী নাও ;—
জুব্‌কৈ বা জুব্‌কৈ বা
অ'মোৰ পছোৱা মলয়া বাৰ॥
দেখি তোৰ শুকুলা পাল
হিয়া মোৰ মাৰে নিতাল
শুনি তোৰ মৃদুল সুৰ
শিৰ্‌বি উঠে মোৰ গা॥
লুইতৰ বুকুৰে ঢল
নাচি কৰে টলমল
গাই বয় কল্‌কল্
তোলে সুমধুৰ বাৰ॥

অৰ্কেষ্ট্রা :—

II I দা সা ৰা | জ্ঞা । । | দা সা ৰা | জ্ঞা মা পা | সা । । | । । । | ণ্‌া ৰা সা | । দা ণ্‌া |
প্‌া । । | । দা প্‌া | মা প্‌া দা | ণ্‌া সা ৰা | জ্ঞা মা পা | সা । । |
মা পা দা | ণা র্সা ৰ্বা | জ্ঞা । ৰ্বা | র্সা ণা র্সা | ৰ্বা । দা | পা মা পা | জ্ঞা । । |
। ৰা সা | ণ্‌া ৰা সা | । দা ণ্‌া | সা । । | । । । I II

গান

অন্তৰা :—

II পা র্সা ণা | পা সা জ্ঞমা | পা র্সা । | । । । II (দুবাৰ)
উ টি যা ক পা লী• না ও • • • •
পা র্সা ণা | পা র্সা ণা | পা মা জ্ঞ ৰা | সা । । |
উ টি যা উ টি যা ক পা লী• না ও •

দা পা ক্ষা | পা । । | র্সা না র্সা | র্সা । । | দা পা ক্ষা | পা । । |
জু ব্‌ কৈ বা • • জু ব্‌ কৈ বা • • জু ব্‌ কৈ বা • •
র্সা না র্সা | । । । | পা জ্ঞা ৰ্বা | র্সা ণা পা | মা জ্ঞা ৰা | সা । । | II
জু ব্‌ কৈ বা • • অ' • মোৰ্‌ প ছোৱা ম ল য়া বা ও •

অন্তৰা :—

II পা র্সা ণা | পা মা জ্ঞমা | পা র্সা । | । । । II (দুবাৰ)
উ টি যা ক পা লী• না ও • • • •

১ম অন্তৰা :—

II | র্সা ণা পা | মা জ্ঞা ৰা | সা । । | । । ।
দে খি তোৰ শু কু লা পা ল • • • •
সা দা পা | ক্ষা পা দা | র্সা । । | । । । | (দুবাৰ)
হি য়া মোৰ মা ৰে নি তা ল • • • •

র্সা জ্ঞা ৰ্বা | র্সা জ্ঞা ৰ্বা | সা ণা দা | পা । । |
শু নি তোৰ মৃ দু ল সু • ব্‌ • • • (দুবাৰ)
মা পা ণা | দা ণা ণা | র্সা । । | । । ।
শি ৰ্‌ বি উ ঠে মোৰ গা • • • • •
র্সা ণা পা | মা জ্ঞা ৰা | সা । । | । । । I | |
শি ৰ্‌ বি উ ঠে মোৰ গা • • • • •

অন্তৰা :—

II পা র্সা ণা | পা মা জ্ঞমা | পা র্সা । | । । । II (দুবাৰ)
উ টি যা ক পা লী• না ও • • • •

অৰ্কেষ্ট্রা :—

II সা ৰা জ্ঞা | পা দা র্সা | ৰ্বা । । | । দা র্সা | ৰ্বা । । | । দা র্সা | ৰ্বা জ্ঞা ৰ্বা | র্সা দা পা |
দা ৰ্বা র্সা | । দা পা | জ্ঞা দা পা | । জ্ঞা ৰা | ণা ৰা সা | । । । II

২য় অন্তরা :—



অন্তায়ী :—



অকেষ্ট্রা :—



---

* অর্কেষ্ট্রাবে সৈতে গোটেই গানটিতে দবগাবী কানাডব ছাঁ পবিছে। কেবল দুই ঠাইত কড়ি মধ্যম ব্যবহৃত হৈছে। গান্ধাব, ধৈবত আৰু নিষাদব কোমলৰ ইয়াত গোটেইটোতে ব্যবহাব হৈছে। সুব-চানেকিত সিহঁতব চিনাকি ক্রমাৱয়ে, জ্ঞ, দ, আৰু ণ দিয়া হল। কড়ি মধ্যমব পবিচয় ক্ষ দিয়া হল। "।"কাবণিকাক একোটা মাত্রা। এই "ু" চিনটো যি সুবব তলত দিয়া আছে, সেই সুবটো লেহেতিয়াই নিব লাগে। এনে লেহেতিয়াই নিযাকে "আঁচ" বোলে। *অর্কেষ্ট্রাব সুব-চানেকি সুবশিক্ষক শ্রীযুত বিষ্ণুপ্রসাদ বাভা ভাণ্ডবীয়াই বচনা কবি দিছে। বেকর্ডত অসমৰ গায়িকা শ্রীমতী গিবিজা বকুবাই "হিজ, মাষ্টাবছ্ ভইছ্" বেকর্ডত এই গানটি গাইছে। বেকর্ডত যেনে উঠিছে তাব গোটেইটোবে চানেকি প্রকাশিত কবা হল। অর্কেষ্ট্রা বাদ দি কেবল গানটি গাব পাবি।

* আখবৰ তলৰ এই (ু) চিনটো উদাৱা আৰু ওপবৰ (ঁ) তাবা বুজায়॥ শ্রীউষা বকুৱা

কৃষ্ণকুমাৰী

(আগব সংখ্যাব পাছবপবা)

—শ্রীযুত প্রভাতচন্দ্র অধিকাৰী

৪র্থদৃশ্য

—মানসিংহব শিবিব—

(কাল—অপবাহ্ণ)

[মানসিংহ আৰু আমীবখাঁ।]

মান—আমীবখাঁ! যুদ্ধত পবাজয় হলে বব লাজব কথা হব।

আমীব—মহাবাজে সেই বিষয়ে নিশ্চিন্ত হব পাবে। আমীবখাঁব হাত ইমান দুর্ব্বল নহয় যে শত্রু-সেনাই সেই হাতব অস্ত্র হেলাবেঙে কাঢ়ি লব। ভীমসিংহ ইমবল, জগতসিংহও যোদ্ধা নহয়—মদপী।

মান—কিন্তু, সেই সদাগব যুবক ক'ত এতিয়া? এই সময়ত তাক লগ পোৱা হলে বেয়া নাছিল।

আমীব—অচিন যুবকব প্রতি মহাবাজে এটি বিশেষ আকর্ষণ অনুভব কবিছে যেন দেখিছোঁ।

মান—অস্বীকাব নকবোঁ; যুবকব তীক্ষ্ণ বুদ্ধিয়েই ইয়াব কাবণ খাঁ ছাহেব! তাব বুদ্ধিত বাহাদুবি আছে,—

(ছদ্মবেশী যুবনদাসব প্রবেশ)

যুবন—মহাবাজব জয় হ'ক।

মান—কোন তুমি? তুমি যিয়েই নোহোৱা, তোমাব মুখত ফুল-চন্দন পব'ক :—'অ' চিনিলোঁ, তুমি সেই যুবক, আমি তোমাৰ কথাই কৈছিলোঁ। তুমি ইমান দিন ক'ত আছিলাহে?

যুবন—মহাবাজ! সদাগবসকলে বেহা-বেপাবব সুবিধা বিচাবি কেউপিনে ঘুবি ফুবিব লাগে, এঠাইত সবহ দিন থাকিব নোৱাবে।

মান—এতিয়ানো কেনেকৈ এইবিনি পালাহি?

যুবন—আপোনাব তাৰৈ যাম বুলিয়েই ওলাই আহিছিলোঁ। পিছে, বাটতে শুনিলোঁ, আপুনি এইদিনিতে বাহব পাতি আছেহি। মই শুনিছিলোঁ যে আপুনি হেনো বণ কবিছে।

মান—নির্ভুল শুনিছা; কিন্তু মোব সৈতে তোমাব কি দবকাব, কোৱা।

যুবন—সি অতি গুপ্ত কথা।

মান—হলেও কব পাবা; সন্দেহ নকবিবা।

যুবন—তেন্তে শুনক মহাবাজ! কোনো বিশেষ কাবণে, বাণা ভীমসিংহব অতি বিশ্বাসব পাত্র, তেওঁব দক্ষিণ হস্ত স্বৰূপ চন্দাবৎ চণ্ডাবৎ বণনিপুণ অজিতসিংহ বাণাব অপ্রীতিভাজন হৈ পবিছে। মই ভালকৈ জানিব পাবিছোঁ যে এই যুদ্ধত অজিতে বাণাব বিপক্ষে আপোনাব লগত যোগদান কবিবলৈ ইচ্ছা প্রকাশ কবিছে।

মান—অঃ—বব শুভ-সংবাদ!

আমীব—মহাবাজ! এই সদাগব যুবকক কেতিয়াবপবা মকবাজব গুপ্তচবব পদত বৰণ কবা হৈছে জানিব পাৰোঁনে?

যুবন—জানিবব একো দবকাব নাই। মহাবাজ! মোৰ প্রথম বাতবিহব ফলতেই আপুনি এই যুদ্ধ কবিবলৈ সাজু হৈছে যেতিয়া, তেতিয়া প্রধানতঃ মইেই অন্ততঃ কিঞ্চিৎ পবিমাণে হলেও এই বাবে দায়ী। সেই কাবণেই এই যুদ্ধত আপোনাক পাৰোঁমানে সহায় কবাটো মোৰ কর্ত্তব্য বুলি মই বোধ কবোঁ। নহলে এই কার্য্যত মোৰ নিজৰ একো স্বার্থ নাই। মোৰ কথা বিশ্বাস কবে নকবে আপোনাব ইচ্ছা।

মান—খাঁ ছাহেব! এওঁব কথাৰ প্রমাণ চাবৈলে অজিত-

সিংহক এবাৰ গোপনে সুধি চালে লাভ নহ'ক, লোকচান কি ?

আমীৰ—মহাৰাজৰ অভিকচি।

মান—বাক, সদাগৰ ! অজিত এতিয়া ক'ত ?

যুৱন—সতীদাসৰ বাহৰত।

মান—আমি তেন্তে আজি গধুলি গোপনে এবাৰ তেওঁৰ তাঁলৈ যাম। তুমি কি কোৱা ?

যুৱন—ভাল।—(স্বগত) ভাবতৰ আক সি দিন নাই ; থকা হলে আমীৰগী ! তোৰ কেচা মুৰ চোবাই খালোঁহেতেন।

মান—তেনে, ব'লা আমীৰ !

[সকলোৰে প্ৰস্থান]

৫ম দৃশ্য

—সতীদাসৰ বাহৰ—

(কাল—গধূলি)

[অজিতসিংহ]

অজিত—কৃষ্ণাক পাবৰ আশাত কি দুৰ্ঘোৰ ষড়যন্ত্ৰত লিপ্ত হৈছোঁ ! ভাবিলে ভয় লাগে। জানো মই—সি আশা আকাশ-কুসুমৰ দৰে অসম্ভৱ ; তথাপি তাৰ লোভ কোনেমতে এৰিব পৰা নাই। এটা দুৰ্নিবাৰ মোহ, এটা প্ৰবল আকৰ্ষণে মোক টানি ধৰি ৰাখিছে। মৃত্যুৰ পূৰ্ব্ব মুহূৰ্ত্তলৈকে তাৰ হাত এবাৰৰ শক্তি মোৰ নহব। কৃষ্ণা ! কি কুক্ষণত তোমাক দেখিছিলোঁ, কব নোৱাৰোঁ।—য'ক ভাবি আক কি কৰিম !—

(যুৱন দাসৰ প্ৰৱেশ)

তুমি ? মানসিংহ আক আমীৰগী এতিয়াই ইয়ালৈ আহিব বুলি খবৰ পঠাইছে ; কিন্তু তোমাক ইয়াত দেখিবলৈ পালে বৰ মস্কিল হব।

যুৱন—মই জানো ; সিহঁত অহাৰ আগেয়ে মই যাব পাৰিম। একো মস্কিল নাই। এটা কথা তোমাক সোঁৱৰাই দিবলৈ অহিলো।

অজিত—কি কথা ?

যুৱন—মনত পবেনে—এই মুহূৰ্ত্ত তুমি গোপনে মানসিংহক সহায় কৰিব লাগিব—কেৱেঁ জানিব নোৱাৰাকৈ

অজিত—পবে ; কিন্তু কেনেকৈ ?

যুৱন—দেখাত সতীদাসৰ ফলীয়া হৈ মানসিংহ আক আমীৰক আক্ৰমণ কৰিবা—যেন বাণাৰ পক্ষ অৱলম্বন কৰিছা ; কিন্তু তৰোৱাল চলাবা কপটভাৱে, ক্ৰমে পাছ হুহকি যাবা। কেনে, পাৰিবা ?

অজিত—(নীৰৱ)।

যুৱন—অজিতসিংহ ! তুমি জুইৰ জলন্ত ফিৰিঙটিৰ লগত খেলিব লাগিছা—সাৱধান ! তুমি নিতান্ত চঞ্চল, মতি স্থিৰ কৰা। শুনা, কালিৰ ৰণ, ৰণ নহয়—কৃষ্ণাৰ স্বয়ম্বৰ। ই ৰণ জগতসিংহ আক মানসিংহৰ নহয়, ৰাণা ভীমসিংহৰো নহয়, ই ৰণ অজিতসিংহৰ ভাগ্য নিৰ্ণয় কৰিবলৈ, কুমাৰী কৃষ্ণাৰ স্বামী নিৰ্ব্বাচন কৰিবলৈ। ইমান দুখ আগুৱাই এতিয়া আক ঘুৰি চাবৰ সময় নাই। কালিৰ মৃত্যুত মানসিংহক সহায় নকৰিলে নিশ্চয়কৈ জানিবা, কৃষ্ণা তোমাৰ নহয়—জগতসিংহৰ পথ বাছি লোৱা বন্ধু !

অজিত—যদি পৰাস্ত হওঁ ?

যুৱন—জয় নিশ্চিত।

অজিত—বাক, তেন্তে তোমাৰ ইচ্ছা পূৰ্ণ হব। কৃষ্ণাক পাবৰ কাৰণে কৃতজ্ঞতা, বিশ্বাস, বীৰত্ব—সকলোকে জলাঞ্জলি দিলোঁ। এতিয়া যোৱা—

যুৱন—সাৱধান বন্ধু !

অজিত—বেছ সাৱধান। ৰাজপুত বীৰে দুখন মুখেৰ কথা নকয়।

যুৱন—উত্তম। (স্বগত) ভগৱান ! মোৰ সহায় হোৱা প্ৰভু !

(প্ৰস্থান)

অজিত—সোণৰ জৰিৰ ওৱনি জাল এখন, সেই জালত মেৰ খাইছোঁ, এনেকৈ মেৰ খাইছোঁ যে এটা বজ্ৰ বান্ধনে বুকুৰে-পিঠিয়ে কটকটাগাকৈ টানি ধৰিছে ; মোকোলাবৰ সাধ্য নাই। উস্ ! যুৱনদাস এটা পিশাচ ! এনে পৈশাচিক মন্ত্ৰেৰে মোক বশ কৰি লৈছে যে মেনি টানে সেই পিনেই যাওঁ, বিস্মৃতিৰ আৱৰণে সকলো ঢাকি পেলায়। নাইবা, যুৱনদাস পিশাচক গলত চেপি ধৰি উশাহ বোধ কৰি বধ কৰিলোঁহেতেন—

(মানসিংহ আক আমীৰগীৰ প্ৰৱেশ।)

আহঁক মহাৰাজ ! খাঁ ছাহেব ! আহক।

মান—আগেয়ে কাৰৰ কথা হোৱা ভাল। কেউপিনে শত্ৰু, পলম কৰা অনুচিত। কি কোৱা খাঁ ছাহেব ?

আমীৰ—ঠিক কথা মহাৰাজ ! পলম কৰা উচিত নহয়।

মান—ছৰ্দ্দাব ! আমি শুনিবলৈ পাইছোঁ যে কিবা গুপ্ত কাৰণে আপুনি আমাক এই মুহূৰ্ত্ত সহায় কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। যদি আমি শুনা কথা বাস্তৱতে সঁচা হয় তেনেহলে আমি আমাৰ পৰম সৌভাগ্য বুলি মানিম। এতিয়া আপোনাৰ অন্তৰৰ ইচ্ছা আমাক জানিবলৈ দিয়ক।

অজিত—আপুনি শুনা কথা সঁচা মহাৰাজ ! কোনো বিশেষ কাৰণে মই এই ৰণত আপোনাৰ পক্ষ অৱলম্বন কৰিব লগাত পৰিছোঁ। ৰাণাৰলৈ মোৰ একো ক্ৰোধ নাই, কোনো দ্বেষ নাই, হিংসা নাই। হৃদয়ৰ গহীন অন্ধকাৰৰ এচুকত পৰি থকা এটি দুৰন্ত বাসনা পুৰণ কৰিবৰ বাবে আজি আপোনাৰ সৈতে লগ লাগিবলৈ মই বাধ্য হৈছোঁ। মোৰ ভাগ্য-গগণৰ উদয়মান ৰবিৰ কিৰণ বেখাক যি ডোখৰ ঘোৰ কৃষ্ণবৰ্ণ ডাৱৰে ঢাকি ধৰিছে তাক আঁতৰাবলৈ মই আজি ৰাণাৰ বিৰুদ্ধে দিন দিব লগাত পৰিছোঁ। ই মোৰ দুৰ্ভাগ্য—পৰম দুৰ্ভাগ্য। মই ৰাণাৰ বিৰুদ্ধে তৰোৱাল ধৰিম সঁচা, কিন্তু মহাৰাজ ! ৰাণা যদি ৰণত পৰাস্ত হয় তেন্তে মোৰ পক্ষে মৰণো মঙ্গল হব, মৃত্যুৰ আলাও বৰণীয় হব।

আমীৰ—আপুনি তেন্তে, আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে আমাৰ লগ লাগিব খুজিছে ?

অজিত—অতি সঁচা কথা। মই প্ৰাৰ্থনা কৰো, মোৰ এই অসদিচ্ছাৰ—এই দুৰভিসন্দিৰ মূলত যেন এই মুহূৰ্ত্ততে বজ্ৰাঘাত হয়।

মান—সদাগৰৰ কথা মিছা যেন লাগিছে। তেন্তে, আমি আপোনাক বিশ্বাস কৰিব নোৱাৰোঁ।

অজিত—এশবাৰ নোৱাৰিব। যি বিশ্বাসঘাতক তাক আপুনি বিশ্বাস কৰিব নোৱাৰিব,—ই একো নতুন কথা নহয় মহাৰাজ ! অদৃশ্য দেৱতাৰ অভিশাপত আজি আশ্ৰয় দাতাৰ লগত বিশ্বাসঘাতকতা কৰি যি পাত কাঁড় মাৰিছোঁ, সি মোৰ নিজৰে মৰ্ম্মস্থল ভেদ কৰি অন্তৰ তেজেৰে বাঙলি কৰি তুলিছে, তাক টানি উভালিবৰ শক্তি এই বিশ্বজগতত কাৰো নাই। বিশ্বাসহন্তা, কৃতঘ্নজনক আপুনি বিশ্বাস নকৰিলে কি কৰিম ! কিন্তু, তথাপি মহাৰাজ ! ৰাজপুত বীৰৰ প্ৰতিজ্ঞা অচল, অটল জানিব, হৃদপিণ্ড ফালি দুফাল হলেও তাৰ কথা নলৰে। আপুনি নিশ্চিন্ত হ'ক।—আপোনাৰ লগত মই বিশ্বাসঘাতকতা নকৰোঁ—কৰিব নোৱাৰো যৈ। কিন্তু, গোপনে—বৰ গোপনে, লোকৰ চকুত ধুলি মাৰি আপোনাক সহায় কৰিম। তৰোৱাল ধৰিম—আপোনাৰ বিৰুদ্ধে ভগা তৰোৱাল ! লোকৰ গাত লাগিলে ভাগি ডোখৰ ডোখৰ হব, তাবে তিৰোতাক ভয় দেখুৱাব পাৰি, কিন্তু বধুৱা বীৰক আঘাত কৰিব নোৱাৰি।

মান—বাক, তেন্তে আপোনাৰ কথা বিশ্বাস কৰিলোঁ।

অজিত—মহাৰাজৰ অসীম অনুগ্ৰহ।

মান—আশাকৰোঁ আমাক বিপদত নেপেলাব।

অজিত—নিশ্চয় নহয়।

আমীৰ—(স্বগত) এই যুৱকৰো এটি সুগভীৰ অন্তৰ্জ্বালা আছে, যাৰ কোবত সি নিৰন্তৰ অস্থিৰ আক চঞ্চল ; কিন্তু শৰীৰত শক্তি আছে, মুখমণ্ডল দীপ্ত, তেজোময়। এটা ষড়যন্ত্ৰৰ সাঁথৰৰ ভিতৰত পৰি পাক খাইছোঁ যেন লাগিছে। য'ক, এতিয়াও এওঁ আমাৰ ফলীয়া হলে, আমাৰ জয় নিশ্চয় ;—নহলে মুখেৰে যি নকওঁ—এই বেলি এই শিৰ শৰীৰৰপৰা বিচ্ছিন্ন হোৱা বৰ বিচিত্ৰ নহয়।

মান—খাঁ ছাহেব ! কি ভাবিছা ? ব'লা যাওঁ। আহিলোঁ ছৰ্দ্দাৰ, ৰণক্ষেত্ৰত অগ্ৰগে দেখা হব।

(মানসিংহ আক আমীৰৰ প্ৰস্থান)

[ক্ৰিয়শি পট]

চতুৰ্থ অঙ্ক

১ম দৃশ্য

পুৰৱৎসৰ ৰণক্ষেত্ৰ

(কাল—মধ্যাহ্ন)

[ৰণবাদ্য বাজিছে ; যুধ্যমান আমীৰখাঁ আৰু অৰিজিতৰ প্ৰৱেশ]

আমীৰ খাঁ—ক্ষান্ত হোৱা, হাৰ মানা অৰিজিৎ !—নহলে মৰণ ওচৰ পালেহি—

অৰি—চুপ কৰ্ আমীৰ ! পৰান্নভোজী, অল্পপ্ৰাণ তই ! মৃত্যু-ভয় কাক দেখুৱাৱ ?

আমীৰ—মৰ্ তেন্তে—

[অৰিজিতক খেদি লৈ যায়। আন ফালেদি এজন সেনাৰে সৈতে যুধ্যমান অজিতসিংহ আৰু মানসিংহৰ প্ৰৱেশ। অলপ পৰৰ পাছত অৰিজিতে অজিতসিংহৰ লগত যোগ দিয়েহি—গাত তেজৰ চেকা।]

অৰি—ইকি ! অজিত যেন মৰাশ ! এনে দুৰ্জ্জয় বীৰ !—ৰণ কৰা অজিতসিংহ—প্ৰাণপণে। মৰুৰাজ ! এইবাৰ উপযাচি ৰণ কৰাৰ হেপাহ তোমাৰ পলুৱাম।

মান—প্ৰভু যাৰ বেশ্যাদাস, তাৰ আক' অহঙ্কাৰ—

অজিত—উঃ, আৰু নোৱাৰোঁ ! (বহি পৰে)

অৰি—কাপুৰুষ, বিশ্বাসহন্তা !—

(মানসিংহে অৰিজিতক খেদি নিয়ে। অজিত সিংহৰ প্ৰস্থান।)

পট পৰিৱৰ্ত্তন

[যুদ্ধক্ষেত্ৰৰ আন এটি প্ৰান্ত। দূৰত ধীৰে ধীৰে ৰণবাদ্য বাজি ক্ৰমে থামি গ'ল। মৰাশ, ছিন্ন হাত-ভৰি আৰু তেজৰ ওপৰেদি অলপ অলপ আন্ধাৰত ঠিকুজীয়ে খেপিয়াই ফুৰিছে—গাত আৰু গালে-মুখে তেজ-সনা।]

ঠিকু—ইচ্, ইচ্, ভৰিতে কামোৰ মাৰি ধৰিছে হব পায়। মৰিলোঁ। এহ্, কোনোমতে একৰালোঁ। হায় ! মইনো ৰণ চাওঁ বুলি মৰিবলৈ আহিলোঁ কেলেই ! অ' মোৰ ঘৰৰ জনী ঐ ! দেহি, তই বাঁৰীহে হলি ?—সৌটো আক' কি ? দাঁতকিটা জেঙেৰি আহিছে—খাবনেকি ? (দূৰত হিলৈৰ আৱাজ) খালে, খালে, খালে—ওচৰ পালেহি ; হায়, হায়, মই মৰিলোঁ।

(জগতসিংহৰ প্ৰৱেশ)

জগত—কোন এইটো টেঁটু ফালি চিঁয়ৰিছ ?

ঠিকু—(জগতসিংহক নেদেখাকৈ) ইচ্ !—নাই, নাই,—মই নহয়। দেউতা হেৰ ! মৰিশালিৰ আমুকাই। ককাই বুলিছোঁ, আঁতৰি যা। মোক গো-বধ নকৰিবি।

জগত—ঠিকুজী ! সাৱধান !

ঠিকু—মহাৰাজ, সাৱধান।

[অন্তৰালত 'জয় ৰজা মানসিংহৰ জয়', বুলি জয়ধ্বনিৰ কোৰ্হাল।]

ঠিকু—[জাপ মাৰি] আই ঔ দেহি ! আহি পালেহি মহাৰাজ ! গুলীটো কাণৰ মাজেদি লৰ মাৰি সৰকি গ'ল [কাণত হাত দিয়ে] আজি নিগমে মাৰিলোঁ মহাৰাজ।

জগত—ঠিকুজী ! তুৰন্তে পলোৱা ; ই তোমাৰ ৰহস্যৰ ঠাই নহয়।

ঠিকু—নহয় মহাৰাজ ! আহক, বাটটো সোনকালে দেখুৱাই দিয়কহি। বলে নোৱাৰা শিলক পৰি-নমঃকাৰ বোপাই, পৰি-নমঃকাৰ।

(দুয়োৰে প্ৰস্থান)

[খোলা তৰোৱাল হাতত লৈ সতীদাস আৰু মানসিংহৰ প্ৰৱেশ।]

সতী—মৰুৰাজ !

তুমি নিজে নৰপতি,
প্ৰজাৰ পালক,
অকাৰণে কলহ সৰজি
কি ইষ্ট সাধিলা তুমি
সুখ-সুপ্ত প্ৰজাসকলৰ ?
কামৰিপু ইমান প্ৰবল ?

কামিনীৰ কাম-তনু ইমান লোভৰ ?
অনৰ্থক মাতি আনি
মৃত্যু, হাহাকাৰ
দেখুৱালা নিদৰ্শন প্ৰজাবাৎসল্যৰ !
এতিয়া সম্বৰা ৰণ।

মান—শুনা সতীদাস !

সুন্দৰী কৃষ্ণাৰ বাবে
মানসিংহ যোগ্যনে অযোগ্য ?
কুল, মান, বীৰত্ব, গৌৰৱ—
কোন গুণে মানসিংহ
উপেক্ষিত, হীন হ'ল
ৰাণাৰ মনত ?
নিদাৰুণ উপেক্ষাৰ
হানি তীক্ষ্ণ শেল,
কৰিলা অনৰ্থ সৃষ্টি
ৰাণা আৰু তুমি।
মোৰ অপৰাধ কিবা ?
এৰা বাক্য,
কৰা ৰণ,
সাধ্য থাকে
প্ৰাণপণ শকতিৰে
আক্ৰমণ কৰা নিবাৰণ।

[ৰণবাদ্য বাজি উঠে। দুয়োৰে মাজত যুদ্ধ আৰম্ভ হয় ; মানসিংহৰ লগত এজন সেনাই যোগ দিয়েহি। সেনাৰ মৃত্যু ; মানসিংহে সতীদাসক খেদি নিয়ে।]

[পট পৰে]

২য় দৃশ্য

—ৰণক্ষেত্ৰৰ নিৰ্জ্জন প্ৰান্ত—

[যুৱনদাস আৰু অজিতসিংহ।]

অজিত—তুমি দায়ী, তোমাৰেই কুৎসিত ষড়যন্ত্ৰত লিপ্ত হৈ আজি এই ঘোৰ কলঙ্কৰ বোজা মূৰ পাতি ললোঁ। নহলে যি অজিতসিংহৰ নাম শুনি ভয়ত শত্ৰু সেনাৰ হাতৰ মুঠিৰপৰা অস্ত্ৰ মাটিত পৰি যায়, সেই অজিতসিংহ আজি যুদ্ধক্ষেত্ৰৰপৰা পলাই আহেনে ? উঃ চন্দাৱৎ নামত কলঙ্কৰ ভীষণ কালি লেপি দিলোঁ—কি কৰিলোঁ ! অঃ, যুৱনদাস ! তুমি কি কৰিলা !

যুৱন—উত্তেজিত নহবা বন্ধু ! চঞ্চল নহবা। জগতসিংহ পৰাস্ত হৈছে। তোমাৰ আশা ফলিবলৈ আৰু বেছি দূৰ নাই। ধৈৰ্য্য ধৰা।

অজিত—জগতসিংহ পৰাস্ত হৈছে, কিন্তু মানসিংহ হোৱা নাই। বিজয়ী মানসিংহে তৰোৱালৰ বলেৰে কৃষ্ণাৰ পাণি গ্ৰহণ কৰিব। তাৰ কি উপায় কৰিছা তুমি ?

যুৱন—শুনা, এইবাৰ তুমি ৰাণাৰ পক্ষ লোৱা, বীৰ-বিক্ৰমেৰে মানসিংহক আক্ৰমণ কৰি দূৰ কৰি দিয়া। সতীদাস বিজয়ী যোদ্ধা, তোমালোক দুয়ো লগ হলে মানসিংহ আৰু আমীৰখাঁৰ শক্তি নাই যে সিহঁতৰ পৰাজয়ত বাধা দিব পাৰে।

অজিত—আকৌ এটি নতুন ষড়যন্ত্ৰ ! যুৱনদাস ! তোমাৰ পৈশাচিক অনুষ্ঠান যজ্ঞৰ প্ৰধান হোতা হবলৈ মোক আৰু উত্তেজিত নকৰিবা। মূৰ্খৰ দৰে ইমান দিনে যি কৰিলোঁ, কৰিলোঁ আৰু নোৱাৰোঁ। তোমাৰ হৃদয়ত পিশাচৰ শক্তি, মুখত তোমাৰ পিশাচৰ ঘিণ লগা ছাব, মুখৰ কথাত পিশাচৰ উগ্ৰ জ্বালাময় পোৰণি এটা আছে। মই নোৱাৰোঁ।

যুৱন—তুমি পাৰিবা। ভাবি চোৱা অজিতসিংহ, মানসিংহক খেদিব পাৰিলে কৃষ্ণাক পোৱাত আৰু একো বাধা নাথাকিব। তোমাৰ জীৱনৰ জিকিমিকি সোণালী সপোন দিঠকৰ মধুময় আনন্দত পৰিণত হব, কৃষ্ণাক পাই তোমাৰ জীৱন পৰিপূৰ্ণ হব, তুমি ধন্য হবা।

অজিত—ভাবি ভাবি মগজুৰ ক্ৰিয়া বন্ধ হবৰ উপক্ৰম হৈছে, ভাবি ভাবি কলিজাৰ কঁপনি স্তব্ধ, নিষ্কম্প হবৰ উপক্ৰম হৈছে, অৱশেহত ভাবি ভাবি পাগল হব লগা হৈছোঁ—বাকী আছে কি ? আৰু ভাবিব নোৱাৰোঁ ; নাই, নোৱাৰোঁ। ভাবিবৰ শক্তি কৰ্পূৰৰ দৰে বতাহত উৰি গৈছে, আৰু উলটি নাহে।—য'ক কৃষ্ণা, বিশ্ব-

সংসাৰ উটি, ভাহি ৰসাতললৈ ডুবি য'ক—অলপো চিন্তা নকৰোঁ।

যুৱন—শুনিছিলোঁ, প্ৰেম জোনালী কিৰণ-সনা, পুষ্পৰ পৰাগ-ৰেণু-সনা, ৰামধনুৰ ৰহণ-সনা সূতা এডালিৰে দুটি প্ৰাণ যুগ যুগান্তৰলৈ, জন্ম-জন্মান্তৰলৈ ছিঙিব নোৱাৰাকৈ গাঁথি দিয়ে। শুনিছিলোঁ, প্ৰেম স্বৰ্গীয়, প্ৰেম অপাৰ্থিব—অমৰ। অজিতসিংহ! এয়েনে তোমাৰ প্ৰেমৰ চানেকি? এয়েনে তোমাৰ ভাল পোৱাৰ নিদৰ্শন? এয়ে যদি প্ৰেমৰ আদৰ্শ হয় তেন্তে ধিক এনে প্ৰেমত—এশবাৰ ধিক!

অজিত—প্ৰেমৰ অমল-ধৱল চিত্ৰ আৰু চকুৰ আগত দাঙি নধৰিবা বন্ধু! প্ৰেম-মন্দাকিনীৰ কুলুকুলু সুৰ শুনাই আৰু মোক উত্ৰাৱল নকৰিবা। আত্মগ্লানি, অপমান আৰু কৃতঘ্নতাৰ ঘা মোৰ সৰ্ব্বাঙ্গে বিয়পি পৰিছে, সমস্ত শৰীৰত পোৰণিৰ অসহনীয় জ্বালা তুলিছে—তুমি আকৌ তাত লোণ ছেটিয়াই নিদিবা। দিলে, মই থিৰেৰে ৰব নোৱাৰিম, মই উন্মাদ হৈ যাম—বলিয়া হৈ যাম। মোক আৰু উদ্‌ভ্ৰান্ত নকৰিবা বন্ধু। উহ্, জ্বলি গ'ল, পুৰি গ'ল, জ্বলি পুৰি ছাই হৈ গ'ল।

(প্ৰস্থান)

যুৱন—(অজিতে যোৱা বাটৰ পিনে এখন্তেক চাই) ৰাগী ধৰিছে, প্ৰেমৰ ৰাগী মগজুত ৰিম্‌ৰিম্‌কৈ ধৰিছে, প্ৰতিটি শিৰাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱেশ কৰিছে। আৰু নিস্তাৰ নাই, অব্যাহতি নাই। প্ৰেম বৰ বঢ়িয়া বস্তু! অজিতসিংহ! কাৰ হাতত পৰিছা, জানা? জাৰজৰ হাতত—হাঃ হাঃ হাঃ! কাৰ হাতত পৰিছা জানা? মাতৃ যাৰ ৰক্ষিতা, পিতৃ যাৰ পতি নহয়, উপপতি। দয়া নাই, মৰম নাই, হিত নাই, ন্যায় নাই, পৰোপকাৰ নাই, সহানুভূতি নাই—কোনো সুকোমল প্ৰবৃত্তিও নাই; আছে কেৱল ঘৃণা, নিষ্ঠুৰতা, লাজ, ধিক্কাৰ, কৃতঘ্নতা—আছে কেৱল পাহাৰ-প্ৰমাণ কুৎসিৎ, বিভৎস হীনতা!—বেদমন্ত্ৰ? একেবাৰে অৰ্থহীন ফাকি-ফুকা, কামনাৰ জুইত ইন্ধন যোগাবলৈ স্বাৰ্থপৰ পুৰুষৰ ঘিণ লগা ষড়যন্ত্ৰ। পতি, উপপতিৰ প্ৰভেদ কি? সমাজে দিয়া দুটি নিৰৰ্থক নাম মাত্ৰ। জাৰ আৰু ৰক্ষিতাত উগ্ৰ কাম ৰিপুৰ সি দুৰ্গন্ধ, পতি, পত্নীত সি দুৰ্গন্ধৰ অভাব নাই। তেও, মূঢ় সমাজে নিজৰ হাতেৰে তৈয়াৰ কৰা এটা ব্যৱধানৰ সৃষ্টি কৰি মোৰ দৰে কত দুৰ্ভাগাৰ কপালত মুছিব নোৱাৰা কলঙ্কৰ কালি সানি সিহঁতৰ জীৱন মহাশ্মশানত পৰিণত কৰিছে। প্ৰেম কি? প্ৰণয় কি? ভালপোৱা ক'ত? ৰূপৰ বাবে তীব্ৰ কামনা, সুকোমল মাংস-স্তূপৰ বাবে উগ্ৰ লালসা—এয়ে নৰ-নাৰীৰ প্ৰেম, এয়ে প্ৰণয়, এয়ে স্ত্ৰী-পুৰুষৰ ভালপোৱা! হাঁহি উঠে! সন্তান-কামনা? আৰু বৃথা ফাঁকি নিদিবি সমাজ! অন্তৰৰ ৰুদ্ৰ-দাবানল কাম-বহ্নিত ঘিউ ঢালিবলৈ আৰু ফাঁকি নিদিবি। যিমানে ফাঁকি দিবি তিমানে ধৰা পৰি যাবি। কিহৰ বাবে সন্তান? সমাজ জীৰ্ণ, খীণ, ধ্বংস হৈ য'ক, মানুহৰ নাম বিশ্ব-ব্ৰহ্মাণ্ডৰপৰা ধুই মুছি য'ক—কাৰ কিবা লোকচান? তুমিও যাবা, মইও যাম, লেখ লব কোনে? বেছ।

(প্ৰস্থান)



মহতৰ জীৱনী

—৺ভগৱতীপ্ৰসাদ বৰুৱা

নেজানো মঙ্গলময় তোমাৰ বিধান। জন্মেৰে আতমাক বন্দী কৰিছাঁ; জীৱন পাত কৰাইছাঁ। সাধনা সিদ্ধি কৰাইছাঁ; সৃষ্টি পালন কৰিছাঁ; তাতে বিশ্বৰ বিকাশ ঘটিছে।

সৃষ্টি চলিছে আগতে এক মহা মিলনৰ দাবী লৈ। সেয়েহে সৃষ্টিৰ নৰ-নাৰী, তৰু-তৃণ সকলোৰে প্ৰাণে-প্ৰাণে সেই একেটি নাম; সেই একে খনি ছবি, সেই একেই জেউতি, সেই একেই গান; গোটেই বিশ্বৰ এক ধৰ্ম্ম। এয়ে প্ৰকৃতি।

কেতিয়াবা প্ৰকৃতিৰ বিকৃতি হয়। প্ৰকৃতিৰ মহান আদৰ্শ লোপ পায়। তেতিয়া হৃদয়ৰ সেই নাম মছ খায়; সেই ছবি লুকায়। সেই জেউতি নুমায়। আৰু সেই গান মাৰ যায়। তেতিয়া আৰু সেই মহা মিলনৰ উদ্দেশে সৃষ্টি নাগুৱায়—ই অচল হৈ পৰে। জীৱনত মহা মৰণ ঘটে। আতমাৰ অস্তিত্ব হেৰায়। সৃষ্টিৰ মূল চূৰমাৰ হয়, ভীষণ প্ৰলয়-কাণ্ড উপস্থিত হয়।

তেতিয়া নতুন বিধান হয়। সেই প্ৰলয়ত মহাপ্ৰভুৰ আবিৰ্ভাৱ হয়। এনে প্ৰলয়তে—

"মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত॥"

নতুন সৃষ্টিৰ জন্ম হয়। তাত মহা প্ৰভুৰ বাণী ঘোষিত হয়। সৃষ্টিৰ ভেদ ভাঙি দিয়ে। উদ্দেশ্য চিনাই দিয়ে। প্ৰাণে প্ৰাণে গান শুনাই দিয়ে। জেউতি বিলাই দিয়ে। তেতিয়া জগতে নতুন প্ৰাণ পায়। ধৰ্ম্মত দীক্ষিত হয়, আৰু সেই মহা মিলনলৈ আগ বাঢ়ে।

এনে প্ৰলয় আৰু সৃষ্টি পাতনিও প্ৰকৃতিৰে এটি নিয়ম, মাজে মাজে প্ৰাণৰ গান, হিয়াৰ জেউতি ক্ষীণ হৈ আহে। প্ৰাণত সঞ্জীৱনী ঢালিবলৈ তেতিয়া কবিৰ আৱশ্যক হয়। জগতে কবিক আহবান কৰে—

"কবি, তেন্তে উঠি আহাঁ, মুখত বাঁহীটি লৈ
নতুন সুৰেৰে তুমি জগত জগোৱাঁ।"

ভগৱন্তই নিজেই কৈছে :—

'যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্

সেয়েহে যুৰোপত অধৰ্ম্মৰ ডাৱৰে সত্য সূৰুযক ঢাকি ধৰোঁতেই ত্যাগী পুৰুষ যীশুৰ আবিৰ্ভাৱ। সেয়েহে ভাৰতৰ সনাতন ধৰ্ম্মৰ গ্লানি আৰু অধৰ্ম্মৰ উত্থানৰ কালতে হৃদয়ৱান বুদ্ধদেৱৰ অৱতাৰ। আৰু সেয়েহে অসমৰ ঘোৰ অৰাজকতা আৰু অত্যাচাৰৰ যুগতে সতী জয়মতীৰ বলি দান।

যীশুৱে যি প্ৰাণ পালে, প্ৰাণ দি সেই প্ৰাণতে সৃষ্টি আজি অনুপ্ৰাণিত। শাক্য মুনিয়ে যি জয়বাণী শুনালে—জীৱন জয় কৰি—সি আজি পৰ্ব্বতে-ভৈয়ামে প্ৰতিধ্বনিত! তেজোময় জয়মতীয়ে নিজৰ যি পৱিত্ৰ তেজেৰে অসমৰ বুকুত মাৰ যোৱা পাপ-তেজ ধুলে সেই তেজৰ সোঁত আজিও জগজনৰ শিৰাই শিৰাই প্ৰৱাহিত। আৰু এই দৰেই চলিব প্ৰলয়ৰ আগ মুহূৰ্ত্তলৈকে।

পাছে, তোমাৰ কাম কি? দিয়াঁ, যীশুৰ প্ৰাণেৰে তোমাৰ প্ৰাণ ভৰি যাওক। বুদ্ধদেৱৰ বাণী মৰ্ম্মত পৰ্শ কৰক, হিয়া জয় কৰক, দিয়াঁ জয়মতীৰ পৱিত্ৰ তেজৰ সোঁত তোমাৰ অন্তৰ ভেদি বৈ যাওক।

কিন্তু মুকলি প্ৰাণতহে ৰাগ-পদ সোমায়। তাৰ দুৱাৰ জপোৱা থাকিলে ই সোমাব কেনেকৈ? এই দৰে সেইসকলৰ বীণাৰ ৰাগিণী প্ৰাণত পৰ্শিব কেনেকৈ, যদি প্ৰাণ মুকলি নহয়। মুকলি হোৱা। উদাৰ হোৱাঁ।

সেই মহা প্রাণত তোমাৰ প্রাণ ভৰি যাব। আগ ধৰি ঘোষা পদ শুনি সব পৰা হোৱাঁ, পাছতো তাৰ ৰস পান কৰিবা। আগ ধৰি প্রাণ পাই লোৱা, পাছতো প্রাণৰ মিলনলৈ আকাঙ্খা কৰিবা।

তাকে নকৰি, তেওঁলোকৰ বাহ্যিক খোজত খোজ দিলে লোকে তোমাক হাঁহিবহে, তাত লাভো নাই, মূলো হেবায়। সেই মহাপ্রাণৰ বাটততো ই তোমাক সহায় নকৰে। ই যে জড়। তুমি মহা চৈতন্যৰে মিলিবলৈ খোজ লৈছোঁ; কি সাহেৰে তুমি তেনে কৃত্রিম আৰু অচেতন বস্তু তোমাৰ লগত নিবা। সেয়েহে তোমাৰ যাত্রাত শঙ্কৰদেৱৰ 'কীর্ত্তন' সমল কৰিলে নহব। 'কীর্ত্তণৰ' প্রাণ লোৱাঁ য'ত শঙ্কৰৰ প্রাণো গাঁথা আছে। জানিবা, যেতিয়া তোমাৰ প্রাণ তেওঁৰ প্রাণত সোমাব বা তেওঁৰ প্রাণত তোমাৰ প্রাণ ভৰি পৰিব তেতিয়াই তেওঁৰে তোমাৰে মহামিলন ঘটিব। আৰু তেতিয়া তুমিও এজন "শঙ্কৰদেৱ।"

শুনা, সোৱা মহাপ্রাণৰ বাণী আহিছে; প্রাণ মুকলি কৰাঁ। বাণী আদৰি আনা, ধর্ম্মত দীক্ষিত হোৱা, আৰু নতুন দেশলৈ, পোহৰৰ দেশলৈ বাট লোৱা।
৯ আশ্বিন, ১৮৩৭ শক।

ওঁ শান্তি।

১৯১৫ চনৰ ২৬ চেপ্তেম্বৰত বহা বিমলাপ্রসাদ সভাত পঢ়া—লিখক

নিবেদন

—শ্রীযুতা মৃণালিনী দেৱী

শত নিৰাশাৰে ভৰা হৃদয়ৰ
আশাৰ প্রতিমা
প্রিয়া 'চাক' মোৰ,
অকালতে কাঢ়ি নিলা দয়াময়
কৰিলা যে মোক
ছলনা ঘোৰ।
কাতৰ আহ্বান আকুল প্রাণৰ
নেপালেনে প্রভু
তোমাৰ কাণ,
মাতৃ হিয়াৰ কৰুণ বিননি
নগলনে তহু
চৰণ পাষ।
মোহোৰানে তুমি দয়াৰ সাগৰ
নিৰাশ বিষৰ
আশ্বাস সুৰ,
কোন সতে তেনে পাষাণৰ দৰে
হৰিলা প্রাণৰ
পোনাটি মোৰ!
পিতা ভগৱান, তুমি দয়াৱান
তোমাৰেই দান
তুমিয়ে নিছা,
সংসাৰ জ্বালত মেৰ খাব বুলি
অমৃত পৰশে
মুক্তি দিছা।
ছখুনী হিয়াৰ এটি নিবেদন
তোমাৰ পদত
হে, মহান!
সেই ঠাইলৈকে নিয়া যেন মোকো
কৰা যেন পুহু
প্রতিমা দান।

ৰসসিন্দুৰ, স্বর্ণসিন্দুৰ, মকৰধ্বজ, সিদ্ধ মকৰধ্বজ আৰু প্রাচ্য পাশ্চাত্য বিজ্ঞান

—কবিৰাজ শ্রীযুত ঘনশ্যাম দাস বি-এ, কবিৰত্ন

পৃথিৱী সূর্য্যৰ চাৰিওপিনে ঘুৰে। গছবপৰা ফল সৰিলে মাটিত পৰে। নদীৰ পানী সাগৰলৈ বৈ যায়। এইবোৰ প্রকৃতিৰ চিৰন্তন প্রথা। এই প্রথাৰ আদিও নাই অন্তও নাই। ইয়াৰ কর্ত্তা কোন কোনেও নিদর্শন কৰি দিব নোৱাৰে। কিন্তু মানুহৰ মন সদায় জানিবলৈ, আৰু তথ্য অনুসন্ধানেচ্ছু। সেইবাবে প্রশ্নৰ ওপৰত প্রশ্ন, মীমাংসাৰ ওপৰত মীমাংসা আজিও শেষ হোৱা নাই। ৰাসায়নিক বিজ্ঞানো তেনে ধৰণৰ এটি চিৰন্তণ প্রথা।

স্বর্ণদলং পলঙ্কৈব ৰসেন্দ্রঞ্চ পলাষ্টকং
ৰসস্য দ্বিগুণং গন্ধং তেনৈব কজ্জলাকৃতং
কুমাৰিকা ৰসৈস্তাব্যং কাচপাত্রে নিধাপয়েৎ
বালুযন্ত্রেচ সংস্থাপ্য ক্রমাৎ ত্রিদিনং পচেৎ
স্বাঙ্গ-শিতং সমবায় পুষ্পাৰণ বজ্রঃ সমম্।

অর্থাৎ সোণ আঠ তোলা, পাৰা ৬৪ তোলা, আৰু গন্ধক ১২৮ তোলা ছালকুৰৰীৰ ৰসত চাকনি দি কাচৰ বটলত ভৰাই বালুকা যন্ত্রত তিন দিন তিন বাতি জাল দিলে মকৰধ্বজ তৈয়াৰ হয়; আৰু সমান ভাগ পাৰা আৰু গন্ধক লগ লগাই পিহি কজ্জলী কৰি এটি বটলত ভৰাই জাল দিলে ৰসসিন্দুৰ হয়। আধুনিক ৰসায়ন শাস্ত্র (Chemistry) মতে ইয়াৰ নাম—Mercuric Sulphide, কিন্তু আধুনিক ৰসায়নশাস্ত্র মতে "The law of Definite Proportion says—25 parts by weight of Mercury can only take up,combined with 4 parts by weight of sulphur; the excess of sulphur simply sublimes of unchanged." অর্থাৎ ২৫ ভাগ গন্ধৰ পাৰা—৪ ভাগ গন্ধক লগত মিলিব পাৰে। বাকীবোৰ গন্ধক হৰণ ভগন নোহোৱা পাৰদক দানাত (crystal) পৰিণত কৰিবৰ নিমিত্তে ব্যৱহাৰ কৰা হয়। In the actual preparation of Swarna Sindur. the Mercury is first made into an amalgam with thin gold leans and then repeatedly rubbed in a mortar with sulphur. During the process of sublimition the excess of sulphur volatises off. The Gold in fine particles remains behind as a residue. The lustrous crystalline reddish brown sublimates which collects nearest the sources of heat has the formula of H. G অর্থাৎ পাত সোণ, পাৰা আৰু গন্ধক কিস্তিত পিহি কজ্জলী কৰি জাল দিয়াত যিখিনি গন্ধক দৰ্কাৰ তাৰ বাহিৰে গন্ধকুবোৰ ধোৱা হৈ উৰি যায় আৰু সোণৰ কণিকাবোৰ বটলৰ তলিত পৰি থাকে, আৰু Law of definite proportion মতে গন্ধক আৰু পাৰাখিনি উজ্জ্বল পদার্থ হৈ বটলৰ গলৰ ওচৰত স্বর্ণসিন্দুৰৰূপে পৰিণত হয়। স্বর্ণসিন্দুৰৰ লগত সোণ নাথাকে। Sir P. C. Roy এ লিখিছে :—

Percentage of Sulphur found in Swarnasindura when prepared with mercury killed with 6 times its weight of sulphur along with gold is 13'8 the calculated amount being 13'79 not a trace of gold could be detected.

এতিয়া আমি কোন বাট ধৰো? যদি আমি পশ্চিম দেশীয় ৰস শাস্ত্রৰ পিনে চাওঁ তেন্তে পুৰ দেশীয় ৰস শাস্ত্রখনৰ মকৰধ্বজ প্রণালীৰ বিৰুদ্ধে তিনিটা দোষ দেখা যায়।

১। Difinite law of Porportionৰ অভাৱ পশ্চিম দেশীয় ৰস শাস্ত্ৰমতে মকৰধ্বজ তৈয়াৰ কৰাত পাৰাৰ দ্বিগুণ গন্ধক দিবৰ কোনো প্ৰয়োজন নাই; কাৰণ উক্ত শাস্ত্ৰ মতে ২৫ ভাগ পাৰদ ৪ ভাগ গন্ধকৰ লগতহে মিলি যাব পাৰে বাকী গন্ধক মিছাতে ব্যৱহাৰ হয়।

২। এক বস্তুৰ বিভিন্ন নামান্তৰ কৰণ :—ৰসসিন্দূৰ, স্বৰ্ণসিন্দূৰ, মকৰধ্বজ, সিদ্ধ মকৰধ্বজ এক বস্তু কাৰণ সকলোবোৰ mercuric sulphide (মাৰকুইৰিক ছাল-ফাইড।)

৩। সোণৰ অপব্যৱহাৰ :—মকৰধ্বজত সোণ নাথাকে, catalytic ক্ৰিয়াৰ বাবে সোণৰ যোগ ভুৱা দিয়া কথা।

ইয়াৰ বাদী মহা মহা ৰাসায়নিক পাশ্চাত্য পণ্ডিতবোৰ যাৰ নাম লবৰো ভয় লাগে। তাৰ ভিতৰত ভাৰত গৌৰৱ ছাৰ পি, ছি ৰায়ও বাদ নপৰে।

বিবাদীৰ নাম নাই। আটাইবোৰ এতিয়া পঞ্চভূতত বিলীন। কিন্তু যিবোৰে এতিয়া প্ৰাচ্য ৰসশাস্ত্ৰ কৰ্ত্তাবোৰৰ পদানুসৰণ কৰিছে, তেওঁলোকে এবাৰ ভাবি চাইছে নে যে তেওঁলোক কি মহাপবাদৰ বোজা মূৰত লৈ কাম চলাব ধৰিছে ?

যেৱকে যদি কৰে অপৰাধ
ছোৱে অপযশে স্বামীকো তাৰ

"Respondent superior" আমি হলে এইটো কথাৰ ভু পাওঁ। স্বামীৰ দোষে সেৱকক বোধকৰো নোছোৱে—সেয়েহে বৰ্ত্তমান আয়ুৰ্ব্বেদজ্ঞ পণ্ডিতবোৰ নিমাত।

তাৰ পিছত ঢাকাৰ শ্ৰীযুত মথুৰ বাবুৰ মতে পাৰা আৰু গন্ধকৰ লগত সোণৰ catalytic ক্ৰিয়া হয়। চমৎকাৰ মীমাংসা; কিন্তু সম্পূৰ্ণ অৰ্থহীন। ইপিনে বিজ্ঞাপনত দেখা যায় স্বৰ্ণঘটিত মকৰধ্বজ। ছাৰ পি, ছি, ৰায়ৰ বেঙ্গল কেমিকেলৰ বিজ্ঞাপনতো সেই একেই কথা। নাইবা আয়ুৰ্ব্বেদ পণ্ডিতসকলে ভাবিছে, East is east and west is west, অৰ্থাৎ পূব আৰু পশ্চিম কেতিয়াও একে হব নোৱাৰে। পশ্চিমৰ জ্ঞান বিজ্ঞান দৰ্শন সকলো মিছা; কাৰণ তাত ঈশ্বৰ নাই বাবে তাত সত্যতা নাই। সেইবোৰ কথাত মাতিলে ভগৱান লাভ কৰা নহব, নাইবা গুৰুদেৱৰ কথা অবমাননা কৰা হব। নাইবা প্ৰথাৰ সাল সলনি কৰিলে বেদজ্ঞ পণ্ডিতবিলাকৰ শাপত অভিশপ্ত হবৰ ভয়ত নিমাত নেকি ?

যঃ সিদ্ধ যোগ লিখিতকাধিক সিদ্ধ যোগা
যত্ৰৈব নিক্ষিপতি কেবল মূৰ্দ্ধৰেদ্বা
ভট্ট ত্ৰয় ত্ৰিপথ বেদবিদা জনেন
দত্তঃ পতেৎ সপদি মূৰ্দ্ধনি তস্য সাপঃ।

কিন্তু সেই ৰামো নাই সেই অযোধ্যাও নাই! আজি ভাৰতৰ সত্যযুগ নাই। আজি ভাৰতৰ চিকিৎসা গৌৰৱ ৰবি, মিছা অপবাদৰ কুঁৱলীত ম্লান হৈছে। ৰজাই আয়ুৰ্ব্বেদ নামানে প্ৰজাই ভয়তে লুকাই কবিৰাজী ঔষধ খায়। কবিৰাজবোৰ চিকিৎসক নহয়। তেওঁলোকৰ পেটত ভাত নাই। ৰাজঘৰীয়া সনন্দপ্ৰাপ্ত ডাক্তৰবিলাকে, আয়ুৰ্ব্বেদ এখন বিজ্ঞান নহয় বুলি বুকু ফুলাই কবৰ সাহ পায়। সিদিনা এজন ডাক্তৰে কোৱা শুনিছোঁ—Gold is never consumed in the human system. Perhaps if stool is analysed Ayurvedic gold can be detected in stool. অৰ্থাৎ সোণ মানুহৰ শৰীৰত হজম নহয়। শৌচ পৰীক্ষা কৰিলে বোধহয় কবিৰাজী সোণভস্ম পোৱা যাব পাৰে। সিদিনা আৰু এজন M.B. পাছ ডাক্তৰে লিখকৰ আগতে কৈছিল—I do not understand how Ayurvedic oil can affect a human nerve when it is rubbed on the body. অৰ্থাৎ কবিৰাজী তেল গাত ঘহিলে কেনেকৈ যে স্নায়ুৰ উপকাৰ হয় সি মোৰ জ্ঞানৰ অগোচৰ। যাওক সেইবোৰ কথা।

আয়ুৰ্ব্বেদৰ ৰাসায়নিক প্ৰথাত Definite law of proportion নথকাৰ কোনো প্ৰমাণ পোৱা নাযায়। এই কথাটো বিচাৰ কৰিবলৈ কোৱাত আয়ুৰ্ব্বেদৰ ভূত অৰ্থাৎ Matter যে দুই ভাগে বিভক্ত যেনে স্থূল আৰু সূক্ষ্ম, এইটো সদায় মনত ৰাখিব লাগিব। আয়ুৰ্ব্বেদৰ ৰসসিন্দূৰৰ গন্ধকৰ ভাগ দুই কাৰণৰ বাবে বেছি দিয়া হয়।

প্ৰথম—পাৰদ শোধনৰ বাবে আৰু পাৰাৰ অতি সূক্ষ্ম কণাবোৰ চূৰ্ণ বিচূৰ্ণ কৰিবৰ বাবে।

দ্বিতীয়—চূৰ্ণ-বিচূৰ্ণ হোৱা পাৰাৰ কণাবোৰ বাষ্পাকাৰত পৰিণত কৰি পুনৰায় সংগঠিত হৈ গন্ধকৰ কিছু অংশ লৈ ৰসসিন্দূৰত পৰিণত হবৰ বাবেহে।

আয়ুৰ্ব্বেদৰ নিয়মবোৰ কেৱল ৰসশাস্ত্ৰৰ নিয়ম নহয়। ইয়াৰ নিয়ম বা প্ৰথাবোৰে চিকিৎসা শাস্ত্ৰ বাদ নিদিয়ে। আয়ুৰ্ব্বেদত সদায় পাৰাবোৰ সিদ্ধ কৰিবৰ চেষ্টা কৰে। সিদ্ধ মানে (Boiled) সিজোৱা নহয়। সিদ্ধ মানে (Breaking up to the molicules) পদাৰ্থৰ কণাবোৰ ভাঙি চূৰ্ণ বিচূৰ্ণ কৰিব পাৰি—পটাত ঘহি-পিহি, কোনো বস্তুৰ লগত উতলাই, আৰু জুইত পুৰি। গন্ধকৰ সংযোগত পাৰাৰ কণাবোৰ অতি নৰম হয় আৰু কিস্তিত ঘঁহাৰ বাবে কিছু অংশ ভাগি চুৰমাৰ হয়; আৰু যেতিয়া বালুকাযন্ত্ৰত দি জুইত পোৰা হয় তেতিয়া পাৰাৰ কণিকাবোৰ অতি সূক্ষ্ম হয়। হয়তো (কোৱাত বোধহয় ভুল নহব) Electron আকাৰত পৰিণত হয়। যেতিয়া পাৰা আৰু গন্ধক লগ লাগি জুইৰ উত্তাপত গলিছে আৰু অণু-পৰমাণুবোৰ ভাগি ছিগি চুৰমাৰ হব ধৰিছে সেই অৱস্থাৰ কথা কৈছোঁ। তেতিয়া পাৰাৰ প্ৰত্যেক অণু পৰমাণুটিৰে একোটা শক্তিৰ কণিকা আৰু ইটোৰ সিটোৰ সংঘৰ্ষণত ভগন ক্ৰিয়া সমাধা হব ধৰিছে। যেতিয়া ভগন ক্ৰিয়া সম্পূৰ্ণ হয় তেতিয়া আকৌ সেইবোৰ লগ লাগি গন্ধক সংযোগত বাষ্পাকাৰত পৰিণত হয়। সেয়ে যেতিয়া চেচা হয়, তেতিয়া ৰসসিন্দূৰ নামে অভিহিত হয়।

সেইবাবে যদিও ৰসসিন্দূৰ, স্বৰ্ণসিন্দূৰ মকৰধ্বজ বিশ্লেষণ কৰিলে কেৱল—Mercuric sulphide পোৱা যায়; ফলতঃ প্ৰত্যেকটোৱে বেলেগ বেলেগ বস্তু।

Mercuric Sulphide ৰসসিন্দূৰও নহয়। ৰসসিন্দূৰত Mercuric sulphide আছে, কিন্তু—Meruric sulphide অত ৰসসিন্দূৰ Property নাই।

Property মানে বস্তু আৰু বস্তুৰ গুণ একে লগে। গুণ মানে যিহৰ দ্বাৰা মানুহৰ শৰীৰত ক্ৰিয়া হয়। যিবোৰ পাৰদৰ আৰু গন্ধকৰ অণু-পৰমাণু Mercuric sulphide অত আছে, সেইবোৰ আয়ুৰ্ব্বেদৰ ৰসসিন্দূৰৰ অণুপৰমাণুতকৈ স্থূলতৰ। নাইবা সঠিক কোৱা হব এনেকৈ যে যি অৱস্থাত মানুহৰ শৰীৰত ৰসসিন্দূৰ কাৰ্য্যকৰী হব, সেই অৱস্থাত Mercuric sulphide কাৰ্য্যকৰী নহয়। যি অৱস্থাত কেচা পাৰদে মানুহৰ শৰীৰত কাৰ্য্যকৰী তেতিয়া কজ্জলী কাৰ্য্যকৰী নহব। যেতিয়া অকল কজ্জলী (পাৰদ আৰু গন্ধক সমানে লগ লগালে কজ্জলী হয়) কাৰ্য্যকৰী হয়, তেতিয়া ৰসসিন্দূৰ কাৰ্য্যকৰী নহয়। যেতিয়া ৰসসিন্দূৰ কাৰ্য্যকৰী হয় তেতিয়া স্বৰ্ণসিন্দূৰ কাৰ্য্যকৰী নহয়। যেতিয়া স্বৰ্ণসিন্দূৰ কাৰ্য্যকৰী হয়, তেতিয়া মকৰধ্বজ কাৰ্য্যকৰী নহয়। যেতিয়া মকৰধ্বজ কাৰ্য্যকৰী হয়, তেতিয়া সিদ্ধ মকৰধ্বজ কাৰ্য্যকৰী নহয়। বিপৰীত ফালৰপৰাও সেই একে কথা। কেচা পাৰা স্থূল অৱস্থা। তাতকৈ পাৰাৰ সূক্ষ্ম অৱস্থা কজ্জলী। কজ্জলীতকৈ সূক্ষ্ম অৱস্থা ৰসসিন্দূৰ, তাতকৈ সূক্ষ্ম অৱস্থা স্বৰ্ণসিন্দূৰ, তাতকৈ সূক্ষ্ম অৱস্থা মকৰধ্বজ, তাতকৈ সূক্ষ্ম ষড়গুণ বলিজাৰিত মকৰধ্বজৰ, আৰু তাতকৈ সূক্ষ্ম অৱস্থা সিদ্ধ মকৰধ্বজৰ। [শেষ পাছলৈ]



বৈজ্ঞানিক জগত

বেলুনৰ সহায়েৰে ওখ শূন্যমাৰ্গলৈ উৰাৰ নিফলতা



কেপ্টেইন এলবাৰ্ট ষ্টিভেন্স আৰু কেপ্টেইন আৰ্ভিল এওৱাছন। এওঁলোকে দ্বিতীয় এয়াৰাৰাৰ নামৰ বেলুনখন পৰীক্ষা কৰি চাইছে।

কেইমাহমানৰ আগতে আমেৰিকাৰ কেইগৰাকীমান বৈজ্ঞানিকে বেলুনৰ সহায়েৰে উচ্চতম শূন্যমাৰ্গ আবিষ্কাৰ কৰিবলৈ যি চেষ্টা কৰিছিল সেই চেষ্টা অকৃতকাৰ্য্য হৈছে। যুক্তৰাজ্যৰ ভৌগলিক সমাজই (Geographic society)



দ্বিতীয় এয়াৰাৰাৰ ভিতৰত ৩৩,৭৫,০০০ ঘন ফুট 'হেলিয়াম' ভৰাই উৰিবলৈ সাজু কৰা হৈছে। এই বেলুনখন প্ৰায় হোৱাৰ আধা ঘণ্টাৰ আগতে এই ছবি তোলা হয়।

আৰু সৈন্য বিভাগে এই শূন্য আৰোহণৰ কাৰণে কেবা মাহ ধৰি পৰিকল্পনা আৰু চেষ্টা কৰি নিফল হোৱাত প্ৰায় হতাশ হৈ পৰিছে।



দ্বিতীয় এয়াৰাৰাৰ নামৰ বেলুন ঘন উকৰাৰ আগতে তাৰহীন মন্ত্ৰৰ সহায়েৰে আন তিনিজন বেলুন উকৰাই চোৱা হৈছে।



এই পেৰাচুট বা মোনাখন বেলুনখনৰ ৰশত বান্ধি দিয়া হৈছিল— যাতে শূন্যৰ মাজত বেলুনখন ফাটি গলে এই মোনাখনৰ যোগেদি আৰোহী সকল নিৰাপদে তললৈ নামি আহিব পাৰে।

অৱশ্যে তেওঁলোকে একে দিনাই আকাশৰ ওপৰলৈ উৰিবলৈ বিচৰা নাছিল। বহুত দিন অভ্যাস কৰি আৰু



বিদ্যমান উন্নত প্ৰণালী অনুসৰি দ্বিতীয় এয়াৰাৰাৰ ভিতৰত ৰখাহ যুগুতা হৈছে।

সময়ে সময়ে নতুন নতুন শিক্ষা লাভ কৰি এই উৰণৰ বাবে সাজু হৈছিল। বিশেষকৈ তেওঁলোকে দ্বিতীয় আবিষ্কাৰক (Explorer II) নামৰ বেলুনখনৰ গঠন কাৰ্য্যত যিবোৰ খুত আছিল সেইবোৰ আঁতৰাই পুনৰ নিখুতকৈ ঠাঁয়ে ঠাঁয়ে গঢ়ি বেলুনখন দোষহীন কৰি তুলিছিল। কিন্তু তথাপিও ই আকাশত টিকিব নোৱাৰিলে। ইয়াৰ ভিতৰত ৩,০০০,০০০ ঘনফুট হেলিয়াম নামৰ এবিধ বায়ুৰ নিচিনা পদাৰ্থ ভৰাই দি ওপৰলৈ উৰি যাওঁতেই ই ফাটি থাকিল।

অৱশ্যে এই মূল্যবান বেলুনখন ধ্বংস হোৱাত মনত নৈৰাশ্য উপজিলেও ভবিষ্যতলৈ এই বিষয়ে পুনৰ চেষ্টা নোহোৱাকৈ নাথাকে। কাৰণ কিছুমান বৈজ্ঞানিকৰ মতে ওখ শূন্যমাৰ্গেই (Stratosphere) এসময়ত ঘকৰা আৰু সামৰিক আকাশীযানবিলাকৰ ভবিষ্যৎ ক্ৰীড়াভূমি হব। সেইদেখি ভবিষ্যতে এই শূন্যমাৰ্গ আবিষ্কাৰ কৰাৰ আৱশ্যক হব।



বিবিধ

স্পেইনৰ নাট্যকাৰ

১৭ শতাব্দীত স্পেইনত লপ ডিভিগা নামৰ এগৰাকী নাট্যকাৰে ২০০০ খনৰো ওপৰ নাটক ৰচনা কৰি স্বৰ্গী হয়। অতি সৰু অৱস্থাতেই তেখেতৰ জ্ঞান-বুদ্ধিৰ বিকাশ হয়। ১২ বছৰ বয়সতে তেখেতে প্ৰণয়ৰ এটি আখ্যান লৈ এখন নাটক লিখে। ৬০ বছৰৰ পিছতো তেওঁ হাতৰপৰা লিখনী নেৰিছিল। তেখেতে মাহেকত গড়ে ৩ খনকৈ নাটক লিখিব পাৰিছিল। নাটকৰ বাহিৰেও তেখেতে কাব্য, ব্যঙ্গ কবিতা আদি ৰচনা কৰিছিল। সেইবিলাক লৈ পিছত ডাঙৰ ডাঙৰ ২১ খন গ্ৰন্থাৱলী মুদ্ৰিত হৈছে।

দীঘল নাক

টমাছ ৱেডাৰ্ছ্ নামেৰে ১৮ শ শকত হৰ্ক ষ্বায়াৰত বাস কৰা এজন মানুহৰ নাকটো ৭½ ইঞ্চি দীঘল আছিল। ইমান দীঘল নকা মানুহ এতিয়ালৈকে ওপজা নাই বুলি অনুমান কৰা হৈছে। তেওঁৰ নাকটো তলৰ ওঁঠলৈকে বৈ পৰিছিল। এই দীঘল নাকটোকে প্ৰদৰ্শনী আৰু হাট-বজাৰত দেখুৱাই টমাছ ৱেডাৰ্ছে দুকঠা চাউলো মোকোলাবলৈ সক্ষম হৈছিল।

ইংলণ্ডত গড়ে কিতাপ প্ৰকাশ

যোৱা জানুৱাৰি মাহৰপৰা ৩০ জুন তাৰিখলৈকে এই ছ মাহৰ ভিতৰত অকল ইংলণ্ডতে ৮,৭০০ খন নতুন কিতাপ প্ৰকাশ হৈছে। অৰ্থাৎ গড় হিছাপে ২৪ ঘণ্টাৰ ভিতৰত ৪৮ খন বা ঘণ্টাত ২ খনকৈ নতুন কিতাপ বাহিৰ হৈছে। ইয়াৰ আগৰ বছৰৰ ঠিক এই কিমাহত প্ৰকাশ হোৱা কিতাপৰ সংখ্যা প্ৰায় এহেজাৰখন কম আছিল। এই প্ৰকাশিত কিতাপ বিলাকৰ ভিতৰত অকল উপন্যাসেই ৩,০০০ খন; তাৰ পাছতে শিক্ষা সম্পৰ্কীয় ৭১৫ খন।

নাজী সকলৰ বাৰটা মন্ত্ৰ

জাৰ্ম্মেনিৰ মিটনিকৰ এখন সভাত নাজী নেতাসকলে পালন কৰিবৰ অৰ্থে বাৰটা মন্ত্ৰ (Commandments) প্ৰচাৰ কৰা হৈছে। মন্ত্ৰ কেইটা তলত দিয়া হল।—

মই মোৰ অধিনায়কৰ ওপৰত অকল বিবেক বুদ্ধিৰেই নহয় আত্মা আৰু অন্তঃকৰণেৰেও বিশ্বাস স্থাপন কৰোঁ।

মাতৃভূমি জাৰ্ম্মেনিৰ কাৰণে মোৰ অন্তৰত স্বদেশ প্ৰেম সদায় বিৰাজ কৰিছে।

মই মোৰ লগৰীয়া বন্ধু সকলক সদায় মৰম-চেনেহ কৰিম।

মই বিনা ওজৰে মোৰ মাননীয় সকলৰ আদেশ পালন কৰিম।

শেষ মুহূৰ্ত্তলৈকে মই বন্ধুত্বৰ বলৰ ওপৰত বিশ্বাস কৰিম।

মই আপত্তি নোহোৱাকৈ মোৰ কৰ্ত্তব্য সম্পন্ন কৰিম।

মই বাহিৰে ভিতৰে এজন সৎ নাজী হম।

আমাৰ জাতীয় আন্দোলনত মই আমাৰ প্ৰজাবৰ্গৰ বিশ্বাস সদায় অটুট ৰাখিম।

ৰাষ্ট্ৰ আৰু দলৰ মাজৰ সম্বন্ধ মই সদায় জানি ৰাখিম।

আৰু দল আৰু অন্যান্য সংঘৰ মাজত থকা সম্বন্ধও মই জানিবলৈ চেষ্টা কৰিম।

ইয়াৰ উপৰিও দল আৰু ফৌজৰ সম্বন্ধ জানি ৰাখিবলৈ মই প্ৰতিজ্ঞাবদ্ধ।

নাজী সকলে ক্ষণিক ঘণ্টাৰ কথা নাভাবে, ভাবে শতাব্দীৰ কথা।

বৃহত্তম সাপৰ জকা

কে'প প্ৰভিন্স নামেৰে এখন দেশৰ কাৰু বুলি এখন ঠাইত এটি বৃহত্তম সাপৰ জকা পোৱা গৈছে। এই জকাটো দীঘলে ২০ ফুট। সাপটো বোলে ২০,০০,০০,০০০ বছৰৰ আগেয়ে জীয়াই আছিল।

নাজী ডেকাৰ নিৰ্ম্মম আচৰণ

এবাৰ জাৰ্ম্মেনিৰ ডেকা লৰা এমখাই জাৰ্ম্মেনিৰ গাভৰু এজনীক এইদৰে সুধিছিল—"তই কোনোবা ইহুদী ডেকাৰ লগত বিয়া হবলৈ ওলাইছনেকি?" ছোৱালীজনীয়ে "এবা" বুলি সন্মতি জনালে। এই ডেকা জাকে তাইক তপতে-তপতে সেই ঠাইৰপৰা এখন নাপিতৰ দোকানলৈ লৈ গৈ বেচেৰীৰ চুলিবোৰ টকলা কৰি খুৰাই পেলালে আৰু তাইৰ গোটেই গাটোত আঁলকটৰা ঘহি দিলে। কিন্তু আছলতে ছোৱালী

জনী আছিল পলেও দেশৰ। তাই কোনোমতে সাৰি পলেও ওলালত কথাটো গোটেইখনতে ৰাষ্ট্ৰ হৈ পৰিল। এতিয়া পলেওৰপৰা সেই ডেকালৰা জাকক শাস্তি দিব লাগে বুলি জাৰ্ম্মেন গভৰ্ণমেণ্টলৈ জনোৱা হৈছে। ছোৱালীজনীয়ে বোলে ডেকা কেইজনৰ ওপৰত ৫০ হাজাৰ মুদ্ৰাৰ ক্ষতি পূৰণ মকৰ্দ্দমা কৰিব।

সবাক চলচ্চিত্ৰত ভাও দিবলৈ আৱশ্যকীয় গুণ

সবাক চলচ্চিত্ৰ অভিনেতা আৰু অভিনেত্ৰী হবলৈ কি কি গুণ কিমান পৰিমাণে আৱশ্যক সেই বিষয়ে বিশেষ পৰীক্ষা কৰি কিং ভিডৰ নামেৰে এজন ফিল্ম ডিৰেক্টৰে তলত দিয়া মতে এখন তালিকা প্ৰস্তুত কৰিছে।—

ব্যক্তিত্ব	শতকৰা	৩৫	ভাগ
সৌন্দৰ্য্য	"	১৫	"
স্বৰ	"	১৫	"
মুখস্থ কৰা শক্তি	"	১৫	"
শৰীৰ ভঙ্গি	"	৫	"
খোজ কঢ়া ভঙ্গি	"	৫	"
সমাৱস্থান ভঙ্গি	"	৫	"
বচন ভঙ্গি	"	৫	"

দহ ইঞ্চি দীঘলীয়া টিকট

চীন দেশৰ লোকসংখ্যা আৰু আখৰ সকলো দেশতকৈ বেছি। চীনা ভাষাৰ মুঠ আখৰৰ সংখ্যা ৩,০০০ টা। এতিয়া এই চীন দেশতে পৃথিৱীৰ ভিতৰত আটাইতকৈ বৃহৎ ডাক টিকট বাহিৰ কৰা হৈছে। ই দীঘলে ১০ ইঞ্চি আৰু পুতলে ২৫ ইঞ্চি। ইয়াৰ বেচ প্ৰায় পাঁচ অনা।

পৃথিৱীৰ আকাৰ ক্ৰমে সংকীৰ্ণ হৈছে

মানুহৰ এটা সাধাৰণ ধাৰণা আছে যে বস্তু চেচা হৈ গলে তাৰ আকাৰো ক্ৰমে ঠেক হৈ যায়। পৃথিৱীৰ সম্পৰ্কে এই ধাৰণা ভ্ৰান্ত বুলি দক্ষিণ আফ্ৰিকাৰ ডক্তৰ জে, কে, ই হেল্‌ম নামেৰে এজন জ্যোতিৰ্বিদ পণ্ডিতে প্ৰমাণ কৰিছে। তেওঁৰ মতে পৃথিৱীখন ঠাণ্ডা হোৱাৰ লগে লগে ই আগতকৈ আকাৰত বহলহে হৈছে। এসময়ত ই ইমান ঠাণ্ডা হবগৈ পাৰে যে ইয়াত জীৱ-জন্তু বাস কৰা টান হৈ পৰিব।

বৃহত্তম ক্ৰীড়া-মণ্ডপ

জাৰ্ম্মেনিৰ অধিনায়ক হাৰ হিটলাৰে অলপতে নিউৰেমবাৰ্গত পৃথিৱীৰ ভিতৰত আটাইতকৈ এটা বৃহত্তম ক্ৰীড়া-মণ্ডপ (Stadium) নিৰ্ম্মাণ কৰিবলৈ আদেশ দিছে। এই মণ্ডপত ১,৫০,০০০ জন দৰ্শকে স্বচ্ছন্দে বহিব পাৰিব। ইয়াক নাজী দলৰ বছেৰেকীয়া কংগ্ৰেছৰ কাৰণে ব্যৱহাৰ কৰা হব।



স্মৃতি-রেখা

কবিতা— —শ্রীযুত দক্ষিণাকান্ত বরুয়া বি-এ

নালাগে আহিব আজি কাললৈ মোৰ,
ম'তে আছা ততে থাকা তুমি,
নালাগে তোমাক ভাল চকুৰ আগতে,
তবাটিৰ দৰে চাম ভূমি।

কবিছিলা যদিওবা মতলীয়া মোক
কতদিন চুমাৰ বাগীৰে,
ৰঙাপৰা ওঠ দুটি সঘনে কঁপাই
কইছিলা লাজুকী ভাষাৰে।

আজি কিন্তু সকলোটি দিছোঁ আতৰাই
দয়া মায়া চেনেহ পীৰিতি,
প্ৰাণ মোৰ নোহে আজি উতলা অলপো
নেদেখিলে তোমাৰ ছবিটি।

নাপাওঁ বেজাৰ মই তোমাক নেদেখি,
মোৰ কথা নালাগে ভাবিব,
চেনেহৰ ডোল গছি পৰক খুলকি
তুমি আক' নালাগে জোৱাৰ।

নালাগে গাঁথিবে মোলে' মালাধাৰি তুমি,
মোৰ কণ্ঠ নোহে যোগ্য তাৰ,
তোমাৰ বাহুৰ বান্ধে নালাগে মেৰাব
কণ্ঠদেশ এই অভাগাৰ।

একোকে নালাগে মোক,—লাগে মাথোঁ সেই
মধুময় প্ৰেমৰ শিৰিতি,
তাকেই সাবটি লম বুকুৰ মাজত
সেয়ে মোৰ অনন্ত তৃপিতি।

সিদিনাযে কথাশাৰী শেৱালি তলত
কইছিলা গোপন সঙ্কিয়া,
'ভাল পাওঁ তোমাকেই',—সেয়ে মোৰ মাথোঁ
সুধা-ধাৰা, জীৱন—অমিয়া।

পাৰিজাতৰ আত্মোপলব্ধি

গল্প] —শ্রীযুত মোহনলাল চৌধুৰী

প্ৰেত কৰ্ম্মৰ পুৰোহিত ৰাপুকে প্ৰমুখ্য কবি মহেন্দ্ৰৰ মিতিৰ-কুটুমসকল যাবৰ সময়ত বাৰে বাৰে কৈ গৈছিল "মোৱাসকল গ'লনে উদ্ধাৰ হ'ল? এতিয়া তুমি এনে ভেলা ভহাৰ দৰে থাকিলে নহব। কোনোমতে জৰা-মৰা কবিও ঘৰখনহে পাতিব লাগে। আজিকালি টকাত মহজনীকৈ ছোৱালী পোৱা যায়।" যাবৰ সময়ত পুৰোহিত ৰাপুৱে আকৌ মহেন্দ্ৰৰ মনত কথাখিনিৰ দাগ বাৰি যাবৰ মনেৰে কলে "বুজিছা বোপা! এতিয়া আৰু ইবোৰ কবিলে নচলিব। পিতৃ-পিতামহৰ জল-পিণ্ডৰ দিহা কবিবৈ কিবা এটা কবিব লাগে। পঢ়া-শুনা যি কবিলা কবিলা। বেছি আৰু কিয়? অইন নালাগে তোমাৰ গাওঁখনলৈকে চোৱাচোন কেইজনে ক'লা আখৰ চিনে। সেই বুলিনো নাৰায়ণ প্ৰভুৰ কৃপাত এক ৰকমে নচলিছেনে? যি শিকিছা তাৰে মণ্ডল পণ্ডিতৰ কাম যোৱাৰ আগত দৌৰি আছে। ভাগ্যত থাকিলে ইয়াৰেই ঠাই নোহোৱা হব। দেখিছাই নহয়, শাওণ গাওঁবুঢ়াই দেখোন নামটোকে লিখিব নাজানে। পিছে তেওঁৰ দোকানতেই দেখোন বি-এ, গোমস্তা ৰাখি কাম চলাইছে। ভাল মনত পৰিল—এই ডেকাজনৰ লগত দেখোন তোমাৰো বৰ লেটি-পেটি। গাওঁ বুঢ়াৰ তলত মাহে কুৰি টকাত খাতা লিখোতে জন্ম যাব ধৰিছে—তাৰছে গাৰ্ডৰ ডেকাবিলাকৰ আগত যি বকুতাৰ ভমক। কিবা বোলে হাবিজান পাতিছে। আমাক কি হাবিজান তাবিজান লাগিছে? ইমান দিনে নোহোৱাকৈ চলা নাইনে? আজি এইবিলাকে কি অঠাই পানীবপৰা ৰক্ষা কবিব আমাক! এতিয়া এই গোমস্তাজনেই বোলে আমি মুৰ দোৱাই সেৱা কৰা কীৰ্ত্তন ঘৰত, আমাৰ ছাঁ চুব নোৱাৰা অজাতি সকলক বলেৰে মুমুৱাই দিবৰ মনেৰে ডেকাদল গোটাব লাগিছে। কালৰে চক্ৰ এইবিলাক! নহলেনো নাৰায়ণ প্ৰভুৱে নন্দনত এই মাতাল হাতীবিলাক মেলি দিছেনে?" বুলি বাপুৱে টিকনিৰ তগৰ লৰাই বেগ দিলে। লগৰ ভক্তিভাবাপন্ন গাৰ্ডৰ বাদ খোৱা তথাকথিত নৈষ্ঠিক মেলুৱৈসকলে হুমুনিয়াহৰ লগত ৰামকৃষ্ণ ধ্বনি দুই এটা তুলি সংসাৰৰ অসাৰতা প্ৰচাৰ কবি দিহা দিহি গল।

মহেন্দ্ৰই কি কবিব একো ঠিক কবিব নোৱাৰি চেন-ভৱনে পৰি থকা ঘৰৰ লাম-লাকতি কোচাই লৈ ঘৰখন নতুনকৈ সজাবলৈ আৰম্ভ কবিলে। সি পঢ়া কোঠাটোত সোমায়ে নিজহাতে সজা পেকিং ৰাকছৰ আলমাৰিটো খুলিলে। খোলা মাত্ৰকে তাৰ চকুৰ আগত জিলিকি উঠিল নতুনকৈ মগাই অনা তাৰ অতি আদৰৰ বঙা, নীলা কিতাপবিলাক। তাৰ চিন্তা উপজিল এইবিলাকনো অইন লৰাক কেনেকৈ বেচিব। কেনেকৈনো লগৰ লৰাবোৰৰ আগত কব, সি আৰু স্কুলত নপঢ়ে বুলি। তাৰ পিছত এখন এখনকৈ কিতাপ জাবি-জোকাবি বাহেঁৰে সজা মেজ এখনত থওঁতে দেখিলে কিতাপবিলাকৰ পাছ ফালে কাগজেদি মেৰাই খোৱা মুগাৰ ৰিহা-মেখেলা এযোৰ। সেই কাপোৰ যোৰকেইতো মাকৰ দানত দিবলৈ বিচাৰি হতাশ হৈছিল। তাৰ সৰল বিশ্বাস আছিল—দানত দিলে সেইযোৰ মাকে সিপুৰিত পিন্ধিবলৈ পাব। বেচেৰাই এই অন্ধ বিশ্বাসৰ ফলত মাৰ-বাণেকৰ হেপাহৰ প্ৰায়বিলাক বস্তুকে পুৰোহিত বাপুৰ কথামতে দানত দি ঘৰখন শুদা কবি পেলালে। ৰাইজৰপৰা সি অৱশ্য পিতৃ-মাতৃভক্ত বুলি ফস্তকীয়া প্ৰশংসা যথেষ্ট পাইছিল।

কাপোৰযোৰ কেনেকৈ ইয়ালৈ আহিল তাৰ এতিয়াহে মনত পৰিল। প্ৰমোশুন পালে লগৰ লৰাবোৰে ইটাৰে

সিটিক মিঠাই খুৱায়। মহেন্দ্ৰয়ো বহুতৰ খাইছিল। এতিয়া নিজৰ পাল পৰিল। কিন্তু বাপেককনো কেনেকৈ কয়? সি জানিছিল যে কিতাপ কিনা টকা ধাৰ কৰি আনি দিছিল। সি এদিন আলচুলকৈ মাকৰ মুখলৈ চাই কথাটো কলে। মাকে জানে বাপেকৰ হাতত টকা নাই। নহলেও ল'ৰাই মন মাৰি থাকিব। সেয়েহে ৰঙচুৱা ৰিহা-মেখেলাযোৰ বেচি টকা আনিবলৈ দিছিল। দোকানলৈ যাওঁ যাওঁ কৰি থাকোতেই এদিন যমে আহি কলেৰাৰ ৰূপ ধৰি মাক বাপেক দুয়োকে নিলে। তাৰ চকুৰ আগত স্নেহময়ী মাতৃ মূৰ্ত্তি ফুটি উঠিল। সি আৰু একো কৰিব নোৱাৰিলে। য'ৰে যি তাতে এৰি চকু পানী মছি ওলাই গল।

ভুৱন ডেকাৰ ঘৰত ওৰেৰাতি ভাঙুৰী সেৱা চলিছে। এতিয়া চোতাল ভৰি ৰ'দ উঠাত এটি দুটি ভক্তই উঠিবলৈ ধৰিছে। তাম বৰণীয়া জটাধাৰী ভুৱন ডেকাই তেতিয়াও ভাঙৰ ৰাগিত ৰঙা পৰি আছিল। এনেতে মহেন্দ্ৰ আহি ধুনীৰ ওচৰত বহা দেখা পাই হাঁহি এটা মাৰি গেৰগেৰীয়া মাতেৰে কলে—"আকৌ তই মনটো ইমান মাৰি আছ কিয়? অলপ হাঁহি কথা কবিচোন। মোৰতো লৰা-ছোৱালী নাই, তয়ে মোৰ সকলো হ'লি। আজিয়েই ভাং খোৱাৰ শেষ কৰিলো। স্কুললৈ দিনে ৫ মাইল অহা-যোৱা কৰিবলৈ টান পাবি নহয়। তাতে ছৰকাৰ বাবুৱেই থকাৰ ঠাই ঠিক কৰি দিওঁ বুলিছে। খৰচলৈ ভয় নকৰিবি। পিতাৰ ইমান সম্পত্তি চিলিমৰ আগত উৰাই দি বাৰ বান্দৰক খুৱালোঁ! এতিয়া যি কেইপুৰা মাটি আছে তাকে বেচি-কিনি হলেও তোক পঢ়াম। ছৰকাৰ বাবুৱে খাটি কথাকে কৈছে। হয়তো বছৰে বছৰে দুৰ্গা পূজা কৰা, ভাঙুৰী সেৱা কৰা, আৰু এই যজ্ঞ পাতি অনাহকতে কামত থালীয়ে থালীয়ে ঘিউ পোৰাতকৈ এজনৰ মন পোহৰোৱাত বেছি ধৰম হব। মই নিজেই এই কামত কম টকা খৰচ কৰিছোঁনে? ইয়াৰপৰা মোৰ গাৱঁৰো একো নহল, নিজৰো একো নহল।" পুৰোহিত বাপুৱে তেতিয়া চিলিম ফটা দম এটা মাৰিছিল মাত্ৰ, এনেতে কথা শুনি চকু মুখ থিয় কৰি কৈ উঠিল—"অ' গাওঁবুঢ়াৰ গোমস্তাই আহি এইখিনিতো বিন্ধা দিছেনে? গাওঁখনত দেখিছোঁ ইয়েই সাক্ষাৎ ক'লি অৱতাৰ হল।" ভুৱন ডেকাই গধুৰ মাতেৰে কৈ উঠিল "গাঁজা খাইছে, এতিয়া ঘৰলৈ যাওক বাপু! মিছা কথাত মানুহক দোষ দি নাথাকিব। আজি ছৰকাৰ বাবুৰ কথাই মোৰ মনত যি আনন্দ দিছে, পৰৰ কাৰণে যি আগ্ৰহ জগাইছে, ক'তা আপোনালোকে খোজেপতি শ্লোকৰ হেঙাৰ বান্ধিও মোক তেনে আনন্দ দিব পৰা নাছিল। এওঁৰ কথা শুনিয়েইতো মই আজি গাঁজা এৰি এটা ভাল কাম কৰিম বুলি ওলাইছোঁ। আপোনালোকেতো নিজক পাহৰি আন একো ভাল কাম কৰাৰ চেষ্টা কৰা নাই। আৰু ছৰকাৰ বাবুৱে দক্ষিণা নোলোৱাকৈ দেখোন ভাল কথা সমাজত বিলাই দি, নিজেও ভাল পথত চলি আছে। আমাক কৈছে 'সকলো অন্ধ বিশ্বাসৰপৰা মূৰ তুলি থিয় হব পৰাই লক্ষ্য হব লাগে।' আজিৰপৰা আপোনালোকৰ অন্যায় বিধান মানি মই নচলো। ভাঙৰ ধুনি তুলি দিলো।"

পাৰিজাত দুখীয়াৰ ঘৰৰ ছোৱালী। উচ্চ প্ৰাইমেৰিত বৃত্তি পাই নগাৱঁত ট্ৰেইনিং লৈ তাতেই মাষ্টৰণী হৈছে। পাৰিজাতৰ নিজ ঠাইলৈ আহি চাকৰি কৰিবৰ মন নাই। কাৰণ মাষ্টৰণীৰ ওপৰত শিক্ষাবিভাগৰ উচ্চ খিতাপধাৰীসকলৰপৰা আৰম্ভ কৰি গাঁৱৰ স্কুলৰ মেনেজিং কমিটীৰ মেম্বাৰসকললৈকে সকলোৰে কেনে দৃষ্টি, তাক পাৰিজাতে ভালকৈ বুজি পাইছিল। আৰু বুজি পাইছিল বেচেৰীহঁত মাষ্টৰণী হৈ চাকৰি বজাই ৰাখিবলৈ কেনেকৈ শিক্ষিত মানুহৰ সহায় লব লাগে। এই অসহায় অৱস্থাৰ সুযোগ লৈ সমাজৰ আগ ভাগ খোৱাসকলে কেনেকৈ সিহঁতৰ মূৰত কলঙ্কৰ বোজা জাপি দি জীৱন দুৰ্ব্বহ কৰি তোলে।

মহেন্দ্ৰৰ লগত পাৰিজাতৰ বিয়াৰ একমাত্ৰ কাৰণ মহেন্দ্ৰৰ অসীম আগ্ৰহ। ছৰকাৰ বাবুৱেও বিয়াখন যাতে হয়, তাৰে চেষ্টা কৰিছিল। তেওঁৰ ইচ্ছা মহেন্দ্ৰইতো বেছি পঢ়িব নোৱাৰে, গতিকে দুয়ো মাষ্টৰ মাষ্টৰণী হৈ চলিব। কোনোবাই পাৰিজাতৰ বৰণ বগা নহয় বুলিলে মহেন্দ্ৰই কৈছিল, "অকল ৰূপ সোপা লৈ [illegible] ৰিম? গুণতো

লাগে"। এই কথাত কোনোৱে কৈছিল—"জানো, ই প্ৰকৃত প্ৰেমনে নৱ অনুৰাগ। মহেন্দ্ৰ গাৱঁলীয়া ডেকালৰা, চহৰীয়া আদব-কায়দা দেখিয়ে ভোল গল। মিশ্যনত পঢ়া ছোৱালীক ই ক'ত চলাব পাৰিব" ইত্যাদি নানান কথা দুয়োৰে কাণত পৰিলেও বিয়াখন হৈ গ'ল। সেয়ে প্ৰথম মিলনৰ দিনা মহেন্দ্ৰই আৱেগত ওলোৱা কথাৰ মাজত পাৰিজাতৰ কাণে কাণে কৈছিল, "লোকে আমাৰ বন্ধন ক্ষন্তেকীয়া বুলি ভাবিছে। সিহঁতে নাজানে যে ই আমাৰ প্ৰাণৰ বন্ধন।" কথা শুনি পাৰিজাতৰ মন আৱেগত পমি গৈছিল। দুখীয়াৰ ঘৰৰ ছোৱালী তাই। উপযুক্ত দৰা পাই পৰমানন্দ লাভ কৰিলে।

মহেন্দ্ৰই ভালকৈয়ে মেট্ৰিকুলেশ্যন পাছ কৰিলে। তাৰ পঢ়িবৰ মন হলেও, ভুৱন ডেকাৰ কলেজত পঢ়াবৰ সামৰ্থ্য নাই। ছৰকাৰ বাবুৱে নানান চেষ্টা কৰি উপায় উলিয়াব নোৱাৰি কলে "পাৰিজাতে যি পাৰে সহায় কৰক; মই চহৰত এক বন্ধুৰ ঘৰত মহেন্দ্ৰৰ এটা প্ৰাইভেট টিউশ্যন কৰি দিম। খোৱা থকা তাতেই চলিব। লাগিলে ভুৱন ডেকাই কিছু কিছু সহায় কৰিব পাৰিব।" সৰু ভায়েকৰ দৰে ছৰকাৰ বাবুৱে মহেন্দ্ৰৰ সকলো বন্দবস্ত কৰি নাম লগাই দি আকৌ গাওঁবুঢ়াৰ দোকানত খাতাৰ কামত লাগি গল।

মহেন্দ্ৰই মফছলৰপৰা চহৰ পাই এখন নতুন জগত দেখিলে। গাওঁবিলাকৰ সকলো আনন্দ উৎসৱ আহি যেন চহৰখন ৰঞ্জিত হৈ উঠিছে। ক'ত টোপনিয়াই থকা লেতেৰা কেৰাছিনৰ চাকি, ক'ত বিজুলী বন্তি বাটে-ঘাটে, ঘৰে-চোতালে! তথাপি যেন তৃপ্তি নাই; আৰু যেন লাগে—কিবা লাগে। চিক্‌মিক্ কৰে জিলিকি থকা যিহে মটৰ একোখন! এইবিলাক দেখি শুনি কিছুদিনৰ ভিতৰত মহেন্দ্ৰৰ ভাব-ভাষা, চলন-ফুৰণ সকলোতে ভয়ানক পৰিৱৰ্ত্তন হৈছে। তাৰ উপৰিও যাৰ ঘৰত আছিল তেওঁলোক ধনী মানুহ। তেওঁলোককে কেন্দ্ৰ কৰি মহেন্দ্ৰৰ কত বন্ধু-বান্ধৱ। চহৰৰ চাল-চলন, আদব-কায়দা সকলো হজম কৰি উঠিছে। মুঠৰ ওপৰত সি "আপ্-টু-ডেট্" হোৱাৰ এটা নমুনা কলেই ভাল দৰে বুজা যাব—

সিদিনা ৰবিবাৰ। মহেন্দ্ৰই মুখত ছোৱালীৰ দৰে পাউডাৰ সানি, বিতচকু লৈ ছিগাৰেট হুপি ছোৱালী ব'ৰ্ডিঙৰ আগেদি বন্ধুবান্ধৱপৰিবেষ্টিত হৈ তহলিয়াই তহলিয়াই আহি আছিল; এনেতে আলিৰ কানত জমা হৈ থকা পানীৰ ওপৰেদি মটৰ এখন চেৰাৎ কৰে গুচি গল। সি চকু ঘূৰাই চায় যে, মূৰত গামোছা মৰা, ওলমি পৰা এৰীয়াৰ ছোলা পিন্ধা মানুহ কেইজনমান। দাঁত নিকতাই থকা শিলৰ ওপৰেদি ভৰিৰ বেদনাত তত হেৰুৱাই দেও দি দি যাওঁতে সেই মটৰখনে গেলা পানী এজোলোকা গাত মাৰিদি গুচি গল। বেচেৰাহঁতে বৰ আতুৰ বিতুৰ লগালে। মহেন্দ্ৰই দেখি ল'ৰাবোৰৰ লগত হাঁহিৰ ধ্বনি তুলি দিলে। আৰু কলে "এই আপদবিলাক মৰিবলৈ আহে কিয়? মৰিব কেতিয়াবা মটৰৰ চেপা খাই।" আকৌ হাঁহিৰ ধ্বনি! ছোৱালীবিলাক বাৰান্দালৈ ওলাই নাহিলমানে হাঁহিৰ ধ্বনি আৰু হাত-তালি চলি থাকিল।

পাৰিজাতে মাহে ২৫৲ টকা দৰমহা পায়। ব'ৰ্ডিঙত খৰি আৰু ৰূম ভাৰা দিওতে ৫৲ টকা যায়। ৮৲ টকা মহেন্দ্ৰলৈ নপঠালেই নহয়। বাকী ১২৲ টকাৰে খোৱা, কাপোৰ লোৱা আৰু দুখীয়া মাক বাপেকলৈ অলপ অচৰপ পঠিয়াই কোনোমতে চলি আছে। মহেন্দ্ৰলৈ মাহৰ হিছাব মাহে পঠাব লাগে। মহেন্দ্ৰৰ হুকুম। ছোৱালী মানুহ কৰবাত বেয়াকৈ খৰচ কৰিব। মাক বাপেকলৈ পঠোৱা ২।১ টকাৰ হিছাব মহেন্দ্ৰই নাপায়। পাৰিজাতেও সাঁচিছে, মোক লাজতে নকয়। পাৰিজাতৰ হিছাব লওঁতা, ভাল-বেয়াৰ খবৰ লওঁতা এজন যে ওপৰত আছে এই আনন্দতেই তাইৰ ঠাই নাই। এই মধুৰ দাসত্ব তাইক যেন লাগেই। তাই নিজৰ কাৰণে সকলো অভাব অনাটন যাঁচি লৈ মহেন্দ্ৰ আৰু মাক বাপেকক সহায় কৰিয়ে কি যেন এক নিৰ্ম্মল আত্মপ্ৰসাদ লাভ কৰে! অইন মাষ্টৰণী আৰু ছাত্ৰী বিলাকে মেমবিলাকক অনুকৰণ কৰি বাৰেবঙলুৱা ৰংচঙীয়া কাপোৰৰ চেমিজ, ব্লাউছ, ফুলাম শাৰী পিন্ধিও যেন তৃপ্তি নাপায়। পাৰিজাতে ছাধাছিধা বগলীৰ পাখী যেন বগা খাদৰৰ ৰিহা-মেখেলাযোৰ কেনেকৈ পৰিপাটিকৈ পিন্ধে!

দেখিলেই চক্ষু জুর পরি যায়। সাজপারর তাই যেন এটা নতুন আদর্শ সকলোরে আগত দাড়ি ধরিছিল।

আই-এ পাছ করি থার্ড ইয়ারত মহেন্দ্রই নাম লগাইছে। প্রাইভেট টিউশ্যন করি ২০৲ টকা পায়। পকা-খোরা তাতেই চলে। পারিজাতে ৮৲ টকা তুরন ডেকাই মাজে মাজে ৫।৬ টকা পঠায়। এবার গার্ডুয়ার মাল কিনিবলৈ চহরলৈ আহোতে, চকরার বাবুরে মহেন্দ্রর কোঠা সোমাই তার "ষ্টাইল" দেখি তবধ মানিলে। 'ধরর ভিতরত শাবীপতা ছিগারেটর টিন, ওলমি থকা ছুট, জোতার শাবী;—আৰু কত কি? ঘরলৈ গৈ ছবকারে এখন চিঠি দিলে। চিঠির এই কেই লাইন তার ভাল নালাগিল। "তোমাক ধনীর ঘরত দৈছিলো ভবিষ্যত সুবিধার কাৰণে; কিন্তু চাহ খেতিয়কর ন'বার অন্তঃসাৰশূন্য বদ হজম হোরা নবা ধরণ গোটেইখিনি অনুকরণ করি, নিজর সর্ব্বনাশ নিজে চপাই লবা বুলি ভবা নাছিলো। ছুট পিন্ধি এনেয়ে আলিয়ে আলিয়ে ঘুরা 'ছখটে' তোমার কিয় হল? তোমার দৈনন্দিন জীৱনত ই কি কাম দিছে মই কব পরা নাই। ছিগাৰেটত তুমি ইমান টকা কিয় খরচ করিব লাগে! তুমি শিক্ষালাভ করি, তোমার গার্ডখনক এই আদর্শকে দিণ্ড বুলিছানে? তোমার থকা ঠাইর আৱর্জ্জনা তোমালোকেইতো ওচর লাগিব। অথচ তোমালোকেই যদি নতুন আৱর্জ্জনা কিছুমান আনি সুমাই দিয়া তেন্তে ই বর দুখ লগা কথা হব। নিজর স্বরূপ পাহরি নাযাবা" মহেন্দ্রই বর বিবক্তি-বোধ করিলে। মনে মনে ভাবিলে—এইবিলাক অদর্কাৰী কথা মিছামিছি লিখে! তেওঁর দরে গোমস্তাগিরি করা সাজেদিতো মোর নচলে।

পূজার বন্ধত মহেন্দ্র থকা ঘরর সকলো কলিকতালৈ যাব। দর্কার একো নাই। এনেই যাব। মহেন্দ্রইও যাবর কাৰণে সাজু হবলৈ ধরিলে। ধনীর লগত ধার করি হলেও সমানে সমানে তাল দি চলিবই লাগিব। নহলে সম্মান নবয়। সেইদেখি হাত খরচর কাৰণে অন্ততঃ ৫০৲ টকা লাগে।

বিয়ার এবছরর পাছত আৰু এবার মাত্র মহেন্দ্রক পারিজাতে ছদিনর কাৰণে লগ পাইছিল। পারিজাতে আহিবর ইচ্ছা নকরে, জানোচা তেওঁর পঢ়া শুনাত ব্যাঘাত হয়। তার পিছত সুদীর্ঘ বছর পার হৈছে আৰু দেখা সাক্ষাৎ হোরা নাই। আগত পূজার বন্ধ! শবতর সমীৰণ লাগি পারিজাতর মনটো নাহরর কুমলীয়া পাতর দরে কঁপি কঁপি উঠিব ধরিলে।

সেইদিনা ধনুলি। সকলো ছোরালীয়ে হাঁত-ভরি ধুই ঘরে ঘরে বহিছে। পারিজাতে ব'ডিঙর বারান্দাত বহি অকলে অকলে বিৰহৰ ব্যথাত বিহ্বল হৈ আছিল। ওচরর শেৱালী জোপাই ফুলার বাতরি বতাহত বিষণ্ণাই দিছিল। এনেতে নীরর দুরবী ডরাত যেন কিবা এটা পাতল আভা বিয়পি পরিল। পারিজাতর অকলশরীয়া জীৱনত যেন কিবা এটা আকুলতা জাগি উঠিল। মুর তুলি চায় যে দূরর গছ জোপার আৱেদি তৃতীয়ার ক্ষীণ চন্দ্রমা ফুলো মুকুলোকে ফুলি উঠিছে। মহেন্দ্রলৈ পারিজাতে বন্ধত নিবলৈ আহিব লাগে বুলি লিখা কথাখিনি, চিঠিত যেনেকৈ লাজতে বঙা পরি, লিখো নিচিনাকৈ লিখি পেলাইছিল, চন্দ্রমায়ো যেন পৃথিৱীর আগত তেনেকৈ ওলাওঁ নোলাওঁকৈ ওলাই পরিছিল। "পূজালৈ তেন হলে আৰু বেছি দিন নাই। মোর চিঠি কালি পৈ পাব। কেতিয়াকৈবা আছে! আগেয়ে এখন চিঠি দি জনাবে ভাল আছিল! ছিঃ ময়ো আকৰী! লবালৰিত কথাটো লিখি দিবলৈ পাহরিলো। সিবাবো হঠাৎ নিবলৈ আহি তং হেকরাই মাৰিলে। লগর লগরী এজনীকো মাত এখার দিব নোরারিলো। এইবারো যে তেনে নকৰিব—তাক কব নোরারি। এইবার আগেয়ে মাত-বোল দি থব লাগিল। এনেতে পারিজাতর সখীয়েক মালতীয়ে নিজর কোঠার পরা মাতিলে "সখি! চিঠি লাগে যদি আহা।"

তৰ্ক শেষ কৰিলে। মেল-দৰবাৰ কবি দুই চাৰি পইছা সংগ্ৰহ কৰি দুৰা বয়োবৃদ্ধসকলে স্ত্ৰী শিক্ষাৰ দুগুৰ্ণ উচ্চৰবে বৰ্ণাবলৈ ধৰিলে।

মহেন্দ্ৰৰ বিয়াৰ তাৰিখ ব'ডিঙৰ সকলোৱে জানিছে। পাৰিজাতৰ মুখবপৰা নোশালেও কেনেবাকৈ সকলোৱে জানিব পাৰিছে। পাৰিজাতক দেখিলে সেইদেখি সকলো বিমৰ্ষ হয়। মিঞনৰ সকলোৱেই পাৰিজাতৰ দুখত যেন মুহ্যমাণ।

সেইদিনা ফাগুনৰ ৫ তাৰিখ। পাৰিজাত স্কুললৈ নগল। কিয় পাৰিজাত বাইদেউ স্কুললৈ নগল, সকলো ছোৱালীয়ে জানে। সেইদেখি কেৱেঁ একো সুধিবলৈ সাহ নকৰিলে। পাৰিজাতক দেখি সকলো বিমৰ্ষ, গম্ভীৰ। কঠিন সংসাৰ সিদিনাও আগৰ দৰেই চলি আছিল। আগৰ দৰেই ছোৱালীবিলাকে মুকলি ঘাহনিখনত তিনি চাৰি জনীয়ে গলত ধৰা ধৰি কবি হাঁহি ফুবিছিল। সিদিনাৰ দিনৰ দিনটো পাৰিজাতে বিছনাৰপৰা উঠা নাছিল। শেষত ছোৱালীবিলাকৰ চিঞৰ-বাখৰত উঠি আহি বাবান্দাৰ লোহাৰ চকীখনত বহিল। বহি কি ভাবিলে একো কব নোৱাবিলে। অলপ পৰ এনেদৰে থকাৰ পিছত পাৰিজাতে অনুভৱ কৰিছিল এফালে যেন আনন্দৰ উকলী জোকাৰ, আনফালে মৃত্যুৰ মলিনতাৰ মাজবপৰা ফুটি উঠা বুকুফটা হাহাকাৰ। এণিনে নাটৰ কইনাৰ দৰে সাজি-কাছি ওলোৱা প্ৰকৃতিৰ হাঁহিৰ খলক, আনপিনে পাৰিজাতৰ বুকুৰ মাজত দপ্‌দপাই থকা অলা ফুই। তাই ভাবিব ধৰিলে আজিবপৰা আক চিঠি লিখা, দিনে দিনে ডাকৰ খৰৰ কৰাৰ মুল মৰিল। প্ৰতি মাহে টকা পঠিওৱাৰ আশা ছেদ হল। আক কাৰিকো মিলন আশাত তাই ভাবি মৰিব নলগা হল। চকুৰ পানী বৈ পৰিব ধৰিলে। এনে হব বুলিতো তাই সপোনতো ভবা নাছিল। কিবা লাগিছে লাগিছে—আকো ভাল হব, আকো বুকুৰ মাজত মিলনৰ বাসনা কঁপি কঁপি জাগি উঠিব। তাই মনে মনে ঈশ্বৰৰ উদ্দেশ্যে কলে "হে ভগৱান! তুমি জানা মোৰ সকলো কথা" এনেতে হঠাৎ যেন তাইৰ কাণত পৰিল কালিৰ ককণ সুৰ এটা। বিয়াৰ দিনা লগোৱে-ভোকে থকা মনত কালিৰ ককণ সুৰে যেন এটা মধুৰ আৱেশ আনি অৱশ কৰি পেলাইছিল। আজিও লগোৱীয়া গাত কালিৰ মাতে এটা শিইবণ তুলি দিলে। তাইৰ গোটেই গাটো তামোলে গাত ধৰা মানুহৰ গা যেন লাগিল। বিয়াৰ চন্দ্ৰাতপৰ তললৈ দাণ্ডি আনি বহুওৱাৰ সময়ত ওবণিৰ আবেদি মহেন্দ্ৰৰ চাণ্ড-নাচাণ্ডকৈ চোৱা সেই সুন্দৰ মুৰ্ত্তিটো তাই দেখা পোৱা যেন পালে। মহেন্দ্ৰই যেন তাইৰ হাতৰ ওপৰত সুকোমল হাতখন থলে। আহা এনে সুকোমল হাত! ওবণিৰ আঁবত যেন তাইৰ মুখখন বঙা পৰি উঠিল। কপালত বিন্দু বিন্দু ঘাম ওলাল। আক সেই পৰশৰ আৱেগত তাই যেন পৰীৰ দৰে আকাশলৈ উৰি যাব ধৰিলে। যাওঁতে যাওঁতে মহেন্দ্ৰ যেন নেদেখা হল। লাহে লাহে তাই যেন এটা উজ্জ্বল গোহৰ পাৰিজাত হৈ ফুলি উঠিল আক চাৰিওফালৰপৰা বসন্ত কালৰ ফুলৰ গোন্ধবিলাকে নানা ৰং ধৰি পৰীৰ দৰে আহি কেউফালে নৃত্য কৰিব ধৰিলে।

মূৰ্চ্ছা যাবৰ দিনাখনপৰাই পাৰিজাতৰ জ্বৰ। দহ দিনৰ মুবত আজি মালতীৰ লগত মুকলি মনে অলপ হাঁহি ধেমালি কৰিব ধৰিছে। এনেতে ছোৱালী এজনীয়ে দুখন চিঠি আনি দিলে। প্ৰথমখন মেলি চায় যে মাকৰ চিঠি; অসুখৰ খবৰ সুধি লিখিছে। আনখন চৰকাৰ বাবুৰে লিখিছে "পৰম কল্যাণীয়া—তোমাৰ দুখৰ মৰেই কাৰণ। মই মহেন্দ্ৰৰ দৰে অকৃতজ্ঞৰ হাতত তোমাক তুলি দি জীয়াতে মৰা কৰিলো। এতিয়া মহেন্দ্ৰৰ ওপৰত খোৱাৰ দাবী কৰা। তাৰ পাপৰ পৰাচিত হব লাগে। তোমাৰ সম্মতি পালে, মই সকলো কৰিম। তুমি একো ভাবিব নালাগে।"

পিছদিনা পাৰিজাতে লিখিলে—"পৰম পূজনীয়া বৌ!

দাদাৰ চিঠি পালো। দাদাৰ উদৰ তোমাকৈৰে লিখিলো। মই ইমানদিনে সপোনতো নভবা কথা কিছুমান চিঠিৰ দৰে স্পষ্ট হৈ মনৰ আগত দেখা পাইছোঁ। এজনৰ ওপৰত প্ৰতিশোধ ললে কি হব বৌ? তেওঁতো অকলে এই কাম কৰা নাই। এনে কৰিবলৈ গোটেই সমাজে তেওঁক উদ্গনি দিছে যেন লাগে। নহলে পুকুৰে এনে কাম কৰি

ক'তো দেখোন বাধা পোৱা নাই। তেওঁলোকৰ সমাজত স্থান আছে, সম্মান আছে। এনে কাম কৰা তিৰোতা এজনীক তুলি লবলৈ কোনোবা লোক ওলাগহেতেননে? আজি দেখোন তেওঁক ছোৱালী দিবলৈ মানুহৰ অভাব নাই? সমাজে কিমান বুঢ়াক কন্যাদান কৰিছে, কোনে খবৰ বাখে? পানী কেচুৰাতে বিধবা হোৱা কিমান ছোৱালীয়ে ব্যৰ্থ জীৱন কি দুখত নিয়াৰ লাগিছে তাৰ খবৰ কোনে বাখিছে! পুকুষৰ তেজ মাংসৰ শৰীৰত থকা দুৰ্ব্বলতা, বিধবাবিলাকৰ গাত থকাতো স্বাভাবিকনে অস্বাভাৰিক? স্বাভাৰিক যদি, মানুহৰ তেজত থকা পশু স্বভাৱ ওচাই দেৱতাৰ দিবৰ বন্দবস্ত সমাজে কি কৰিছে? নাইবা কি ভাবিছে সংসাৰৰ ভু নোপোৱা ছোৱালী এজনীয়ে চিৰ ব্ৰহ্মচাৰিণী হৈ থাকিব লাগে, অথচ তাইৰ চকুৰ আগত মাক বাপেক পৰ্য্যন্ত ভোগ বিলাসত ডুবিব লাগিছে? বাহিৰৰ সাজ-পাৰ কাচি নি বেচেৰীহঁতৰ ভোগ বিলাসৰ হেপাহ মুছি নিব খোজে, কিন্তু ভিতৰৰ অলা জুই মুমোৱাৰ দিহা কি কৰা হ'ল? শুভ কাৰ্য্যত সিহঁতৰ ঠাই নাই; সিহঁতক দেখিলেও দোষ। আমাক কেনেকৈ বঞ্চৰ দৰে বজাৰত বেচে তুমিতো জানা। তোমাক কেইবাৰ কইনা সজাই ববৰ আগত বহুৱাইছিল? কিমানে পছন্দ নহল বুলি এবি যোৱাত তোমাৰ জীৱনত কি ধিক্কাৰ আহিছিল, তাৰ কথা কোনে ভাবে? আমাক বনবীয়া জন্তু বধাদি মেবৰত সাজি ওবণিৰ পৰ্দ্দা লগাই বাখে। আমি মুকলি মনেৰে দুৰাত সন্দেহ, চকু মেলি চোৱাত সন্দেহ। পৃথিবীত বোধকৰো আমাৰ দৰে নিঃকিন আক নাই। সমাজৰ এইবিলাক লক্ষ্য কৰাৰ হৃদয় নাই বৌ!

"আমি জানো আমাৰ কৰ্ম্মক্ষেত্ৰ পুকুষতকৈ বেলেগ; কিন্তু সেই ক্ষেত্ৰত আমি যন্ত্ৰৰ দৰে কাম কৰিব লাগে কিয়? আমাৰ শিক্ষা দীক্ষাৰ ফালে কি নিৰ্ভৰ অবহেলা! সেইদেখি মোৰ ক্ষুদ্ৰ শক্তি যিমান হলেও যি বেমাৰত আমি ভুগিব লাগিছোঁ, তাৰ কাৰণ নির্ণয় কৰি উপযুক্ত ব্যৱস্থা কৰিবলৈ জীৱন কটাম। দাদা মোৰ দেৱতা; সেয়েহে মোৰ দুখত জলি উঠিছে। প্ৰণীড়িতৰ মানৱতাৰ কাৰণে দাদাৰ গোপনে বোৱা চকুপানীৰ বাতৰি মই পাওঁ বৌ, সেইদেখি দাদাক তুমিয়ে মোৰ কামত সহায় কৰিবলৈ কবা—মোৰ লাজ লাগে। তুমি ভাগ্যৱতী! দাদাক পূজা কৰিবা—ইতি

আপোনালোকৰ সবসৰ
পাৰিজাত



মন্দাকিনী

কবিতা—

—শ্রীযুত ভবানন্দ বাজখোৱা

শেৱালিৰ মালা পিন্ধি উমলি-জামলি
সুন্দৰ শাৰদী পুৱা
বহিছিলোঁ নিজৰাটি
তোমাৰে পাৱত,
কুমলীয়া বেলিটিৰ হেঙুলীয়া ৰাগে
সানিছিল সেইদিনা
সৰগৰ মধুৰীমা
তোমাৰ দেহত।

বনৰ পখীয়ে তাতে প্ৰভাতী গুৱত
গাই গ'ল উৰি উৰি
মধুময় শৰতৰ
যতেক মহিমা,
সেইদিনা চেনেহৰ নিজৰাটি তুমি
হাঁহিলা পৱাণ ভৰি ;
মলয়ে বিলালে তাতে
ফুলৰ সুষমা।

চাই থাকোঁতেই মই মহিমা তোমাৰ
তেনেই পাহৰি গলোঁ
আলফুলকই গঁধা
ফুল-মালাধাৰ,
পাহৰিলোঁ—ফুলনিত খঞ্জনী পখীয়ে
বিদিশৰ ডালে ডালে
গাইছিল যিবা গীত
শাৰদী পুৱাৰ।

শুনি থাকোঁতেই তৰ কুলু কুলু ধ্বনি
পৱাণৰ বীণ মোৰ
নতুন ভাৱত কিবা
উঠিল মুজৰি,
দেখিলোঁ আগতে যেন অতি বিতোপন
সুখৰ কাননখনি
অনিয়া মাধুৰীভৰা
কিবা মধু পুৰি।

সৌন্দৰ্য্যে মোহিলে মন সিদিনাৰেপৰা ;
সুন্দৰৰ পাছে পাছে
গ'ই গ'ই কবিতাৰ
লভিলোঁ সন্ধান ;
নোহাৱে পৰিৱ তাত বিৱহ-বিননি
নাই ব্যৰ্থতাৰ সুৰ ;
কেউপিনে জীৱনৰ
বাজে জয়গান।

সিদিনাৰেপৰা মই সিখনি পুৰিত
পাইছোঁ জগত সুখা
শুনিছোঁ নিতউ আৰু
সুন্দৰৰ বাণী,
তোমাৰ স্মৃতিৰ সৌত তাতে ৰ'ই যায়—
চেনেহৰ নিজৰাটি
তুমি মোৰ জীৱনৰ
মধু-মন্দাকিনী।

বৈদিক যুগত একেশ্ৱৰবাদৰ ক্ৰমবিকাশ

—শ্রীযুত তীর্থনাথ শর্ম্মা বি-এ

[ঋগ্বেদৰ দেৱতাতত্ত্ব লৈ কেবাটিও মত প্ৰধানভাৱে আমাৰ চকুত পৰে। তাৰ ভিতৰত দয়ানন্দ সৰস্বতীৰ আধ্যাত্মিক ব্যাখ্যা আৰু ঐতিহাসিক দৃষ্টিৰ ওপৰত প্ৰতিষ্ঠিত আধুনিকৰ চিন্তা-প্ৰণালীৰ ক্ৰমবিকাশবাদ। আধ্যাত্মিক ব্যাখ্যা আমাৰ প্ৰকৃষ্ট বিষয় নহয়। আৰ্য্যবিলাকৰ প্ৰাগ্-ভাৰতীয় যুগবপৰা আৰম্ভ কৰি উপনিষদৰ ব্ৰহ্মতত্ত্বলৈকে দেৱতা- সম্বন্ধীয় বিশ্বাসৰ ক্ৰমিক বৃদ্ধিৰ আলোচনা কৰাই আমাৰ চেষ্টা। নৈসৰ্গিক বিভিন্নতাবপৰা ওপজা প্ৰকৃতিশক্তি উপাসনাবপৰা ক্ৰমে ক্ৰমে কেনেকৈ 'একমেৱাদ্বিতীয়ম্' মহান ঈশ্বৰৰ ধাৰণা ভাৰতীয় মস্তিষ্কত উদয় হৈছিল তাৰ বিষয় চমু আলোচনা কৰিবলৈকে আমি দুঃসাহ কৰিছো।—লিখক]

আমেৰিকাৰ পণ্ডিত ব্লুমফিল্ড ছাহাবে এবাৰ ওভোতা কথা কৈছিল। তেওঁৰ মতে ভাৰতীয় আৰ্য্য এই দেশলৈ অহাৰ পূৰ্ব্বেই ভাৰতৰ ধৰ্ম্ম আৰম্ভ হয়। তাৰ অৰ্থ হৈছে একেলগে থকা কাল ডোখৰত যি ধৰ্ম্মবিশ্বাস আৰ্য্যসকলৰ আছিল ভাৰতত তাৰেই ক্ৰমবিকাশ হয়হি ; অথচ পূৰ্ব্বৰ ধাৰাও অবিচ্ছিন্ন হৈ থাকে। তাৰ প্ৰমাণ স্বৰূপে আমি কিছুমান শব্দ পাওঁ, সিবিলাকৰ গুৰি একেটাই। সংস্কৃত 'দেৱ' আৰু লেটিন 'deus' মূলতে একে। সংস্কৃত 'উষস্' আৱেস্তাৰ ushauh', গ্ৰীক্ 'Eos' লেটিন 'Aurora' লিথুনীয় 'Auszra' ইত্যাদি সকালো একে দেৱতা বোধক শব্দ। এইবিলাক কাৰণবপৰা বিশ্বাস হয় পোন প্ৰথমে আৰ্য্যবিলাকৰ ধৰ্ম্মৰ ঘাই ভেটি আছিল প্ৰকৃতি-শক্তিৰ পূজা। একো একোটা নৈসৰ্গিক বৈচিত্ৰ তেওঁলোকৰ মানত বোধ হৈছিল একো একোটা চেতন শক্তি বুলি। তেওঁলোকে তাক ভয় কৰিছিল আৰু ভয়তেই প্ৰথম ধৰ্ম্মৰ সূত্ৰপাত হয়। আদিম আৰ্য্যৰ কল্পনাই এই প্ৰকৃতিৰ বিভিন্ন শক্তিক শক্তি হিছাবেই বেছি দিন ধৰি ৰাখিলে। সেইবিলাকত শৰীৰ আৰোপ কৰা হল। তেতিয়াই হৈ পৰিল দুই এজন দেৱতা, ডাৱৰো এজন দেৱতা বুলি তেওঁলোকৰ মনত বোধ হল। কিন্তু উষা হল এগৰাকী দেৱী, এই লিঙ্গ নিৰূপণবপৰা আদিম আৰ্য্য মনোভাৱৰ পৰিচয় পোৱা যায় ; তেওঁলোকৰ চিন্তা-প্ৰণালীৰ ধাৰা জিলিকি পৰে। মানুহৰ পৰিবাৰবৰ্গৰ ভিতৰত যি সম্বন্ধ এই প্ৰকৃতিৰ শক্তি সমূহৰ মাজত তেনে সম্বন্ধৰ তুলনা পোৱা যায়। উষাৰ বক্তিম ৰাগ সূৰ্য্যৰ আগমনত লয় পায়। সূৰ্য্যও আকৌ আন সময়ত ক'লা ডাৱৰৰ মাজত লুকাই পৰে। বজ্ৰৰ গুৰুগম্ভীৰ গৰ্জ্জনৰ ভৈৰৱ নাদ আকাশতেই ক্ষণেকৰ পিছত লয় যায়। কিন্তু আকাশ সকলো অন্তৰ্হাতে সদায় একেদৰে নিৰ্ব্বিকাৰ হৈ থাকে। আমাৰ জাগতিক জীৱনতো এক পৰিবাৰৰ মাজত আন তলতীয়াবিলাকৰ ইচ্ছা আৰু প্ৰভাৱ গৃহপিতাৰ আদেশ আৰু ইচ্ছাৰ ওচৰত লয় পায়। অন্যান্য সকলো চন্দ্ৰ, সূৰ্য্য, মেঘৰ, আকাশতেই জন্ম আৰু অন্তৰ্ধান বুলি আকাশ সকলোবে পিতৃ-স্বৰূপ। সেই কাৰণে "দ্যৌঃ পিতা"। এই দৰেই দেৱতাসকলে একো একোটা মূৰ্ত্তি-লাভ কৰি বিভিন্ন লক্ষণাবিশিষ্ট হৈ পৰিল।

প্ৰকৃতিৰ শক্তিসমূহ দেৱতা হৈ পৰাৰ লগে লগে মানুহৰ ভয় আৰু সম্মানৰ পৰাকী হৈ পৰিল। প্ৰাৰ্থনাবে, প্ৰশংসা-বাণীবে পৰিতোষ সাধন কৰিবলৈ চেষ্টা চলিল। দেৱতাৰ সৃষ্টি সম্পাদন কৰি আৰ্য্যসকলে সেই সময়ত বিচাৰিছিল কেৱল গো-লাভ, পুত্ৰসন্তান, শত্ৰু বিনাশ। মানুহৰ মনোবৃত্তিৰ অনুসৰণ কৰিয়েই এই প্ৰাৰ্থনা প্ৰণালী আৰু এযাগ ওপৰলৈ উঠিল। সমাজৰ কৰ্ত্তা প্ৰশংসা আৰু স্তুতিবাদত সন্তুষ্ট হয় ; কিন্তু লগত কিছু উপঢৌকন থাকিলে পৰিতৃপ্ত হয়, এই নিয়ম অনুসৰি দেৱতাসকলৰে হবিঃ-প্ৰদানৰ ব্যৱস্থা হল। মানুহৰ শ্ৰেষ্ঠ আহাৰ ঘিউ, মাখন, গাখীৰ, সৰ আৰু মৌ দেৱতাসকলৰ উপঢৌকনৰ উপকৰণ

হৈ পৰিল, এইখিনিতেই যজ্ঞপ্ৰথাৰ প্ৰথম আৰম্ভ। এই যজ্ঞৰ তাৎপৰ্য্যই শেহত ভাৰতীয় আৰ্য্যৰ মন বিশদভাৱে অধিকাৰ কৰিছিল *।

পোন প্ৰথমে কিন্তু যজ্ঞৰ অনুষ্ঠান তেনেই সহজ, সাধাৰণ আছিল। প্ৰত্যেক গৃহস্থৰ ঘৰতে উৎপন্ন হোৱা গাখীৰ ঘিউ আৰু যবেই আছিল যজ্ঞৰ সকলো উপকৰণ। কাৰ্য্যক্ৰমৰ বহুলতা নাছিল। মন্ত্ৰও খুব সম্ভৱ আছিল অলপীয়া, কেইটামান শব্দ। নিবিৎ মন্ত্ৰবিলাকেই ইয়াৰ সাক্ষ্য দিয়ে—নিবিৎবিলাক তিনটামান শব্দৰ একোটা মন্ত্ৰ। বিশ্বাস হয় এইবিলাক ঋক্‌বেদৰ মন্ত্ৰবিলাকতকৈও পুৰণি। অতি পুৰণি সূক্তত দুজন পুৰোহিতৰ নামহে পোৱা যায়—অধ্বৰ্য্যু আৰু হোতা। তাৰো পূৰ্ব্বে কেৱল হোতাহে আছিল বুলি অনুমান হয়। কালক্ৰমত এই অনুষ্টুপীয়া আয়োজনটি এটা বিৰাট কৰ্ম্মবহুল আয়োজনত পৰিণত হলগৈ। আদিৰ সহজ সৰল কাৰ্য্যটি পিছত কিছুমান কৃত্ৰিমতাৰ জাবৰে আগুৰি পেলালে। ঋক্ সংহিতাৰ দিনত তথাপি সীমা চেৰাই যোৱা নাছিল। ব্ৰাহ্মণৰ যুগত কিন্তু যজ্ঞৰ যূপকাঠ আৰু আহুতিৰ হোতাও একো একোজন দেৱতা হৈ পৰিল। আহুতিৰ বস্তু গাখীৰ, ঘিউৰ উপৰিও সোমৰস আৰু পশুমাংসৰ যোগ হল। একো একোটা যজ্ঞৰ অনুষ্ঠান বছৰব্যাপী চলিবলৈ ধৰিলে। যজ্ঞৰ এই বহুলতাৰপৰা বৈদিক ভাৰতীয়ৰ মনত এটা সমস্যাৰ উদয় হল। কোন দেৱতাই যজ্ঞত আগভাগ পাব, কাক আগেয়েই আহ্বান কৰা হব, সোমৰস ভাগ প্ৰধানকৈ কোন দেৱতাই পোৱা উচিত এইবিলাক লৈ তেওঁলোকৰ আলোচনা চলিবলৈ ধৰিলে। ফলত দুই এজন দেৱতা আন বিলাকতকৈ মূৰ দাঙি উঠিল। কেতিয়াবা ইন্দ্ৰই, কেতিয়াবা বৰুণে সৰ্ব্বশ্ৰেষ্ঠ দেৱতা বুলি মান পাইছিল; কিন্তু এই সন্মান চিৰস্থায়ী নহল, নহলেও এইখিনিতেই এজন সৰ্ব্বেশ্বৰৰ অন্বেষণৰ চেষ্টাৰ প্ৰথম প্ৰথম আৰম্ভ।

এজন দেৱতাক প্ৰধান কৰি আন এজনক তলতীয়া বুলি আৰাধনা কৰি যজ্ঞপন্থীসকলৰ ভাল নালাগিল, ফলত প্ৰত্যেকজন দেৱতাই স্তোতৃৰ মানত সৰ্ব্বপ্ৰধান হৈ পৰিল।

কেতিয়াবা অগ্নিয়ে, কেতিয়াবা ইন্দ্ৰই, কেতিয়াবা বিষ্ণুৱে তেওঁলোকৰ কল্পনাৰাজ্য অধিকাৰ কৰি লয়। অগ্নিৰ প্ৰতি লক্ষ্য কৰি বৈদিক ঋষিয়ে গাইছে—

"ত্বে অগ্নে! বিশ্বে অমৃতাস অদ্ৰুহঃ"

হে অগ্নি! তোমাকেই আশ্ৰয় কৰি আন আন দেৱতা সকল আছে।

সেইদৰে আকৌ বায়ুক কোৱা হৈছে:—

"আত্মা দেৱানাং ভুৱনস্য গৰ্ভঃ"।

আন এঠাইত সবিতাৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি কোৱা হৈছে—"সবিতাৰপৰা প্ৰেৰণা পাই অদিতি, বৰুণ, মিত্ৰ অৰ্য্যমা প্ৰভৃতি দেৱতাই সবিতাৰেই স্তুতি কৰি আছে—৭।৩৮।৪ ঋঃ বেঃ

সূৰ্য্যৰ বিষয়ে কৈছে "সেই এক সূৰ্য্যই সকলো দেৱতাতকৈ শ্ৰেষ্ঠ—"তদেকং দেৱানাং শ্ৰেষ্ঠং পুষামপশ্যম্"

বিষ্ণুক সৰ্ব্বপ্ৰধান কৰি স্তুতি কৰিছে "বিষ্ণুৱেই সূৰ্য্য উষা আৰু অগ্নিৰ উৎপাদন কৰিছে" ঋঃ বেঃ ৭.৯৯।৪।

এই বহু দেৱতাৰ প্ৰাধান্যৰপৰা যি বিৰোধ উপস্থিত হল তাৰ ফলস্বৰূপে আৰ্য্যঋষিৰ চিন্তা আৰু এখোপ ওপৰলৈ উঠিল। এই বিৰোধৰ সমাধান কৰিবলৈ যাওঁতে দেৱতাসকলৰ ভিতৰত কিছুমান সামান্য (common) গুণ-কৰ্ম্মৰ সম্ভেদ পালে। এই সম্ভেদ পোৱাৰ লগে লগেই সকলো দেৱতাকে মূল শক্তি এটাৰ পোহৰ তেওঁলোকৰ চকুত পৰিল। ওপৰত কোৱা দেৱতাৰ মাজৰপৰা এজনেও শ্ৰেষ্ঠত্ব দাবী কৰিব নোৱাৰা হল। বৈদিক ঋষিয়ে স্তুতি কৰোতে গুণ কৰ্ম্মৰ বিশেষত্ব নৰখা হল—এজনৰ গুণ ক্ৰিয়া আৰু লক্ষণ আন জনত আৰোপ কৰিবলৈ ধৰিলে। কিছুমান বিশেষণ সকলো দেৱতাতে সমানে প্ৰয়োগ কৰিছিল। এই বিশেষণবিলাকৰ অৰ্থ বিশ্লেষণ কৰিলে অনুমান হয় বৈদিক তত্ত্বদৰ্শীয়ে ইতি পূৰ্ব্বেই সকলো দেৱতাৰ মাজত থকা এটি সাধাৰণী (common) শক্তিৰ সন্ধান পাইছিল। উদাহৰণ স্বৰূপে লোৱা যাওক—

* যোৱা কাতিসংখ্যা "আৱাহন"ত আমাৰ 'বৈদিক ঋষিৰ সৃষ্টিযজ্ঞ' প্ৰবন্ধত যজ্ঞৰ তাৎপৰ্য্যৰ বিষয়ে বিস্মৃত আলোচনা কৰা হৈছিল।

ঋত শব্দৰ অৰ্থ হৈছে অবিনাশী, বিশ্বৰ অপ্ৰতিহত নীতি। এই ঋত শব্দ আটাইবিলাক দেৱতাতে প্ৰয়োগ কৰা হৈছে—

সোম ঋতৰপৰা উপজিছে, ঋতেৰেই বাঢ়িছে আৰু নিজেও ঋত স্বৰূপ—ঋঃ বেঃ ৯ ১০৮।৮

অগ্নি—ঋতৰ মাজতে লুকাই আছে—৪।৫।৯

সূৰ্য্য—ঋতেৰে ঢাক খাই আছে—নিজেও ধ্ৰুৱ ঋতস্বৰূপ

এইদৰে 'পাৰাৰত' 'সনাৎ' 'পৰমদঃ' 'অমৃত' আদি আন বহুত বিশেষণ সকলো দেৱতাতে সমানভাৱে লগোৱা হৈছে। ইয়াৰপৰা স্পষ্ট বুজা যায়—বেদপন্থী আৰ্য্য ভাৰতীয়ৰ মনত দেৱতাবিলাকৰ স্বতন্ত্ৰতাৰ ধাৰণা দূৰ হৈছিল। এই সকলো দেৱতাৰ পিছতো কিবা এটা সত্তা আছে যাৰ বল লৈ আন দেৱতাসকলে নিজক প্ৰকাশ কৰিব পাৰিছে। ইয়াৰ অন্বেষণত তেওঁলোক অগ্ৰসৰ হল। এই মহা অভিযানৰ এইখিনিতে আন এক পৰ্ব্ব আৰম্ভ হয়। ঈশ্বৰৰ ধাৰণাই এক নতুন বাট ললে।

বিখ্যাত হিৰণ্য গৰ্ভ সূক্তত অন্বেষণ প্ৰচেষ্টাৰ মুকলি পৰিচয় পোৱা যায়। এই সূক্তত প্ৰত্যেক ঋকৰ শেহত ঋষিয়ে আপোনাকে সুধিছে "কস্মৈ দেৱায় হবিষা বিধেম" এই 'কস্মৈ' শব্দৰ অৰ্থ যাজ্ঞিকসকলে অদ্ভুতভাৱে পিছত সলাই পেলালেও আমি আজি নিৰপেক্ষ বিচাৰেৰে কিং শব্দৰ চতুৰ্থী বিভক্তিৰ অৰ্থত নিৰ্ব্বিবাদে লব পাৰোঁ। এই সূক্তত ঋষিয়ে সেই মহান সত্তাৰ কথাই ঘনে ঘনে সুধিছে। দিনৰ পিছত দিন ধৰি যজ্ঞ কৰি গৈছে, বিভিন্ন দেৱতালৈ হবিঃপ্ৰদান কৰিছে, মন্ত্ৰৰ পিছত উচ্চাৰণ কৰিছে কিন্তু যজ্ঞকাৰীয়ে নিজেই বুজিব পৰা নাই কি কৰিছে, কালৈ এই সকলোবিলাকৰ আয়োজন। যজ্ঞৰ এই গতানুগতিক অনুষ্ঠানৰ ওপৰত নিজৰে যেন আস্থা কমি আহিছে—এনে দোধোৰমোধোৰ ভাৱত পৰি ঋষিয়ে চিঞৰি উঠিল 'কস্মৈ দেৱায় হবিষা বিধেম"। এই প্ৰশ্নৰ প্ৰথম উত্তৰ তেওঁলোকৰ মনত যি দৰে খেলালে এটি সৰ্ব্বপ্ৰধান মহীয়সী চেতন সত্তাৰ আবিষ্কাৰত সিয়েই প্ৰথম বাট দেখুৱাই দিলে—তেওঁলোকে ভাবিলে যি জন দেৱতাৰ কাৰণে এইবিলাক অনুষ্ঠান আৰু যি জনক আমি আৰাধণা কৰোঁ তেওঁ যিয়েই নহওক তেওঁ নিশ্চয় তেওঁ—

(ক) "যঃ আত্মদা বলদা যস্য বিশ্বে
উপাসতে প্ৰশিষং যস্য দেৱাঃ
যস্য ছায়াঽমৃতং যস্য মৃত্যুঃ
কস্মৈ দেৱায় হবিষা বিধেম"

* * *

আৰু (খ) "যেন দৌৰুগ্ৰা পৃথিবী চ দৃহ্বা
যেন স্ব স্তভিতং যেন নাকঃ
য অন্তৰিক্ষে ৰজসো বিমান
কস্মৈ দেৱায় হবিষা বিধেম

(ক) যি জন আত্মাৰ দাতা, শৰীৰৰ শক্তিদাতা, সিজনৰ আদেশ সকলো দেৱতাই মানি চলে, মৃত্যু আৰু অমৰত্ব যি জনৰ প্ৰকাশ—কোন দেৱতাক আমি হবিঃ প্ৰদানেৰে উপাসনা কৰোঁ—অৰ্থাৎ সেই জনকে।

(খ) যিজনে আকাশ উজ্জ্বল কৰি তুলিছে, পৃথিবী দৃঢ় কৰি ৰাখিছে—যি জনে অন্তৰিক্ষলোক স্থিৰ প্ৰতিষ্ঠিত কৰি থৈছে—সূৰ্য্যক যি জনে নিত্য স্থিৰ কৰি থৈছে—বায়ু মণ্ডলৰ বিস্তৃতি যিজনে থিক কৰি দিছে—সেইজন দেৱতাকে আমাৰ হবিষে আমি উপাসনা কৰোঁ।

এই জ্ঞান উদয় হোৱাৰ লগে লগে বৈদিক ঋষিয়ে এক মহা তথ্য আবিষ্কাৰ কৰিলে যে দেৱতাবৰ্গৰ অনুস্যূত সত্তা একেই। একে বস্তুৱেই বিবিধ ৰূপে নানা আকাৰে প্ৰকাশ পাইছে, দেৱতাসমূহ সেই মহাসত্তাৰে স্থূল বিকাশ। সকলো দেৱতাৰ মূলতে এক মহাশক্তি।

"মহৎ দেৱানামসুৰত্বমেকম্"

আন এক সূক্তত আছে।—

"এই বস্তু অনেক প্ৰকাৰে থাকে, তেৱেঁই আকাশত, পৃথিবীত, অৰণ্যত, গছগছনিত, যজ্ঞৰ ঠাইত নানা আকাৰে বৰ্ত্তমান। আকাশত সূৰ্য্য হৈ, পৃথিবীত অগ্নি হৈ, হাবিত দাবাগ্নিৰূপে, ওষধি গৰ্ভত তাপৰূপে আৰু যজ্ঞত হবিৰ্বাহক অগ্নিৰূপে তেৱেঁই কাম কৰে। দেৱতাসকলৰ মহৎ বল একেটাই"।

একে মূল শক্তিয়েই বেলেগ বেলেগ দেৱতা ৰূপে আমাৰ দৃষ্টিত প্ৰকাশ পায় এই কথা ঋগ্বেদত স্পষ্টভাৱে উল্লেখ আছে। এই মন্ত্ৰবিলাকৰ বচনা কাল কিছু পিছ।

একং সৎ বিপ্ৰা বহুধা বদন্তি
অগ্নিং যমং মাতৰিশ্বান মাহঃ ১।১৬৪।৪৬

"একে সৎ বস্তুকে পণ্ডিতসকলে বহুপ্ৰকাৰে বৰ্ণনা কৰে ; কোনোৱে অগ্নি বোলে, কোনোৱে যম, কেৱে বা মাতৰিশ্বা ইত্যাদি নানা নাম দিয়া হয়।"

"একং 'সস্তং' বহুধা কল্পয়ন্তি" ১০।১১৪।৫

"সেই একে সত্তাকে তত্ত্বদৰ্শীসকলে বিবিধভাৱে কল্পনা কৰে।"

এতিয়ালৈকে কিন্তু এই মহাশক্তিক 'মহৎ বল', 'সত্তা।' 'সৎ', 'এক' 'যঃ' ইত্যাদি বুলিহেই উল্লেখ কৰি আহিছে। আৰু এখোপ আগবাঢ়ি এই সত্তাত অভিনব প্ৰকাৰে ব্যক্তিত্ব আৰোপ কৰিলে, এই সত্তাৰ ধাৰণা কৰা হল এক বিৰাট পুৰুষ ৰূপে "সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ।" তেৱেঁই জগতৰ নিমিত্ত কাৰণ আৰু উপাদান কাৰণ ; চন্দ্ৰ, সূৰ্য্য, বায়ু অন্তৰিক্ষ চতুৰ্বৰ্ণ তেওঁৰপৰাই উদ্ভৱ হল। এই বিষয়ে বিখ্যাত পুৰুষ সূক্তত বিশদ বৰ্ণনা আছে।

ঋগ্বেদ সংহিতাই ইমান বিনিতে শেষ কৰিলে। ব্ৰাহ্মণ গ্ৰন্থত * যজ্ঞ লৈ ব্যস্ত থকাত দৰ্শনৰ ফালে ভাৰতীয় আৰ্য্যই চকু দিবলৈ পাহৰিলে। উপনিষদত আকৌ নতুন উদ্যমে এই মহীয়সী সত্তাৰ স্বৰূপ নিৰ্ণয়ত তেওঁলোক লাগি পৰিল। ঋগ্বেদৰ প্ৰাৰ্থনা জগতপৰা উপনিষদত আমি দৰ্শনৰ জগত ভৰি দিওঁহি।

উপনিষদৰ চিন্তা-প্ৰণালী সম্পূৰ্ণ পৃথক্ ; আৰম্ভতেই ঘোষণা কৰিলে, 'নেদম্ সদিদম্ উপাসতে'। তেওঁলোকৰ বিচাৰৰ বস্তু হল "কস্মিন্ খলু ভগবো বিজ্ঞতে সৰ্ব্বমিদং বিজ্ঞাতং ভবতি"। এই বস্তু জানিবলৈ তেওঁলোকে আৰম্ভ কৰিলে সৃষ্টি পদাৰ্থবপৰা ; পানী, বতাহ জুই, আকাশ সকলোতে এই বস্তু বিচাৰ কৰিলে। এইদৰে বাহিৰত তাৰ সন্ধান নাপাই মনোৰাজ্যত এই বস্তু সন্ধান কৰি কলে 'প্ৰাণো ব্ৰহ্মেতি'। এই দৰে ক্ৰমাং আগবাঢ়ি শেষত সংচিৎ আনন্দময় ব্ৰহ্মৰ সন্ধান পালে। এয়েই বেদৰ যুগন্ত ভাৰতীয়সকলৰ একমেবাদ্বিতীয় মহান্ একেশ্বৰৰ সন্ধানৰ ইতিহাস।

* বেদৰ চাৰিটা ভাগ—সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ্



নাট্য-জগতত ভুমুকি

—নটৰাজ

নাটকত সঙ্গীত, নাটকীয় সময় আৰু ৰঙ্গমঞ্চ

নাটক হলেই তাত সঙ্গীত থাকিব লাগিব, এয়েই আমাৰ সাধাৰণ আৰু বদ্ধমূল ধাৰণা। নাট্য অভিনয় আৰু নাট বচনাত সঙ্গীতৰ প্ৰয়োজনীয়তা আমি নিৰ্ব্বিবাদে মানি আহিছোঁ, কিন্তু স্থান-কাল-পাত্ৰ নিৰ্ব্বিশেষে নাটকাভিনয়ত গীতৰ মূল তাৎপৰ্য্য কি, সাৰ্থকতাই বা কি সেই বিষয়ে আমি কাচিংহে ভাবোঁ। যি সদায় চলি আহিছে চলক, কিয় চলিব লাগে সেই প্ৰশ্ন কৰি লাভ নাই, এয়ে আমাৰ মনোভাব। বহু দিন ধৰি যি বীতি চলি আহিছে তাৰ যুক্তি-যুক্ততালৈ নাচাই সদায় অনুসৰণ কৰা আমাৰ এটা জাতিগত অভ্যাস ; সেই বিষয়ে প্ৰশ্ন কৰাটো হয় মূৰ্খালি, নহয় আদাৰ বেপাৰীৰ জাহাজৰ খবৰ লোৱাৰ নিচিনা কথা। হওক নহওক নাটখনৰ য'তে ত'তে গিমান গান সুমাই দিব পৰা যায়, তেনেকৈ সুমাই দিয়াটোৱেই আমাৰ নাট্যকাৰসকলৰ 'বাহাদুৰি'। তেওঁলোকে পাহৰি যায় যে গীতৰ বাহুল্য বা অসঙ্গতিৰ কাৰণেই বহুত সময়ত ভাল নাটক এখনো ব্যৰ্থ হৈ যায়। কথাটো বহুতৰে মনত আচৰিত যেন লাগিব পাৰে, কিন্তু অলপ ভাবি চালেই কথাটোৰ মৰ্ম্ম বুজিব পাৰি। তৃতীয় শ্ৰেণীৰ পাছোঁ থিয়েটাৰোৱাৰৰ নবাব, বেগম, উজীৰ, ওমৰাহ, মুছাফেৰ, বন্দী, বান্দী আদি আটায়ে যেই সেই অৱস্থাতে গীত গোৱা কথাটোলৈ মন কৰিলে গীতৰ অসঙ্গতি আৰু আধিক্যৰ কাৰণে কেনেকৈ অভিনয় ব্যৰ্থ হয় সেই কথাটো বুজিবলৈ টান নহব। নাটকখনত অযথা আৰু অসঙ্গতভাৱে কেতবোৰ গীত সুমুৱাই দি তৃতীয় শ্ৰেণীৰ দৰ্শকৰ হাত চাগৰি পাব পাৰি, কিন্তু তাৰপৰা বসসৃষ্টি নহয়। নাটকত সঙ্গীতৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিবৰ উপায় নাই। নানা বিধ প্ৰয়োজনীয়তাৰ ভিতৰত এটা প্ৰধান প্ৰয়োজনীয়তা হৈছে "বিলীফ"। কিন্তু বহুত নাট্যকাৰে যি ঠাইত 'ট্ৰাজেডি' বা 'কমেডিৰ' গতি অলপ ঘনীভূত হৈ উঠিছে, কিভাৱে নাটকখন শেষ হব সেই বিষয়ে হয়তো দৰ্শকসকলৰ মনতো অলপ উদ্বেগ ফুটি ওলাইছে, সেই ঠাইতে বহুত ক্ষেত্ৰত গীত সুমুৱাই দিয়ে। অৰ্থাৎ নাটকীয় সমস্যাটো, মিটো ফুটি উঠিবলৈ ধৰিছিল মাথোন, মিটোৱে দৰ্শকৰ কল্পনাজগত আন্দোলিত কৰি তুলিবলৈ ধৰিছিল মাথোন, তাক গীতেবে পাহবাই দিয়া, মনবপৰা উলিহাই দিয়া। কিন্তু "বিলীফ" মানে বিস্মৃতিৰ সৃষ্টি কৰা সুবুজায়। "বিলীফ"ৰ প্ৰকৃত কাম হৈছে,—মাজে সময়ে নাটকত যি উত্তেজনাৰ সৃষ্টি হয় তাক সংযত কৰা, কেন্দ্ৰীভূত কৰা। কাৰণ, তাকে নকৰিলে 'ক্লাইমেক্সটো' বহু সোনকালে আহি পৰিব পাৰে, আৰু তাৰপৰা নাটখনৰ সৌন্দৰ্য্য হানি হব। Theme song অৰো প্ৰয়োজনীয়তা এইখিনিতেই। কিন্তু আমি বহুত সময়ত 'বিলীফ'ৰ কাৰণে গীত সুমুৱাবলৈ গৈ নাটকখনক লক্ষ্যভ্ৰষ্ট কৰোঁ, নাটকীয় বহুগৰিমিক খৰ্ব্ব কৰোঁ। অসময় বহুতো বঙ্গমঞ্চতেই প্ৰায় দেখা যায় যে দৃশ্যপট এখন সজোৱাৰ কাৰণে সময় লবলৈ গীত সুমুৱাই দিয়া হয়। দৰ্শক, অভিনেতা আদি আটায়ে বুজে যে এইবোৰ গানৰ (অৱশ্যে theme song হলে বেলেগ কথা) একো সাৰ্থকতা নাই। এইবোৰে নাটকীয় বস সৃষ্টিত সমুলি সহায় নকৰে, বৰং বহুত সময়ত দৰ্শকৰ মনত বিস্মৃতিৰ সৃষ্টি কৰি নাটকখনক লক্ষ্যভ্ৰষ্ট কৰিব খোজে। নাটকত গীত সংযোগ কৰা এটা দুকহ কথা। নাটকত গীত সুমুৱাবলৈ যাওঁতে আমি সদায় ভাবি চাব লাগিব যে গীত যোগ কৰাৰ প্ৰয়োজন আছেনে নাই, যদি আছে তেনেহলে কোন নাটকৰ কোন অভিনেতা অভিনেত্ৰীবোৰৰ কোন অৱস্থাত কোন ঠাইত গীত গোৱা স্বাভাৱিক আৰু সঙ্গত।

তদুপরি আমার বিবোর নাটকর অভিনয়ত গীত গাব লগা হয় সেই গীতবোরত সুর সংযোজনাই বিষয়ে আমি বর কম ভাবোঁ। সুর সংযোজনাত মথেচ্ছাচারিতা সর্ব্বতোভাবে বর্জ্জনীয়। গীতত সুর সংযোগ কবোতে চাব লাগিব গীতটো নাটকর কোন অংশত ব্যবহৃত হৈছে আৰু তাৰ ভাব আৰু ভাষা কেনে। উদাহবণ স্বৰূপে ধবক, নাটক এখনৰ এটা দৃশ্যত প্রিয়জনৰ বিবহত কাতবা নায়িকা গৰাকীয়ে মনৰ দুখত গুণগুণাই বা অলপ ডাঙৰকৈ গীত এটা গাইছে। সেই অৱস্থাত তেঁৱ পক্ষে সেই গীতটো দ্রুতলয়ত গোৱা স্বাভাৱিক নহয়। প্রকৃততে কবলৈ হলে কথা-নাট্যত গীতৰ সার্থকতা নাই বুলিলেই হয়। নাটকৰ প্রাণবস্তু হৈছে dialogue বা কথা-বতবা থিনিহে। অৱশ্যে এইখাৰ কথা গীতিনাট্য আৰু অপেৰাত নিশ্চয় নাখাটে। কিন্তু সম্পূর্ণ শুদ্ধ কথা-নাট্য বিলন। য়ুবোপীয় কথা-নাট্যবোৰত গীত নাই, কিন্তু য়ুবোপীয় গীতিনাট্য আৰু অপেৰাবোবত ভুৰি ভুৰি গীত দেখিবলৈ পোৱা যায়। আমাৰ ভাষাত অপেৰা এখনো নাই, গীতিনাট্যও দুখনমান এখনহে আছে। আমাৰ নাটকবোৰ চ অথবা সঙ্গীতবহুলতা আৰু অসঙ্গতিবপবা মুক্ত কবি লাগিব। জীৱ নোমোহা অসত্য গীত কেতবোৰ সুমাই দিয়াতকৈ কথা-নাট্যত গীত যোগ নকবাই ভাল।

নাটকীয় সময়ঃ—আমাৰ নাট্যকাৰসকলৰ এটা ধাবণা আছে যে প্রতিটো অঙ্কতেই দুটা সাতোটাকৈ দৃশ্য থকা পাচ অঙ্কীয়া আৰু তাৰ লগতে কেতিয়াবা ওপবঞ্চি দৃশ্য একোটা যোগ থকা কিতাপ এখন নহলে এখন পূর্ণ কথা-নাট্য নহয়। গতিকে মূল ঘটনাটোৰ আখ্যানভাগ যদি চুটিও হয়, তথাপি তাকেই ফেনিয়াই ফেনিয়াই পাঁচোটা অঙ্কত পেলাবলৈ। ফল এয়ে হয় যে Dialogue বোৰ ভাল নহয় আৰু নাটকখন 'জনি' হুঠে। নাটকখনৰ প্রাণ বস্তুটো চুটাই তুলিবলৈ যিমানখিনি কথা, সমল আৰু ঠাইৰ প্রয়োজন তাতকৈ এটা শব্দও অবাস্তবকৈ সুমুৱা উচিত নহয়।...পুঙ্খানু পুঙ্খাভিনয় কবোঁতে বাতি পুৱাই দিয়া অভ্যাসটো এতিয়াও আমাৰ বঙ্গমঞ্চবোৰত চলি আছে। আমাৰ দর্শকবোবেবো মনৰ গতি এনেকুৱা হৈছে যে তেওঁলোকে ভাবে ॥৹/৷৹ অনাৰ টিকট কাটি সিমান বেছি সময় থিয়েটাৰ চাব পবা যায় তিমানেই তেওঁলোকৰ পইছা ব্যয় কবা সার্থক হয়। নিশা বাৰ বজাত অভিনয় শেষ কবা দর্শকসকলৰ আৰু বঙ্গমঞ্চৰ গৰাকীসকলৰ মনত এটা নোহোৱা-নোপোজা কথা। পবাপক্ষত কোনো অভিনয়কেই তিনি ঘণ্টাতকৈ বেছি সময় দেখুৱা উচিত নহয়। ডাঙৰ ডাঙৰ চৰইবোৰত মিউনিছিপেলিটিবোবে বাতি ১২ বজাৰ পিছলৈকে অভিনয় কবিলে বঙ্গমঞ্চবোৰক জৰিমনা কবা প্রথাটো আমাৰ চৰইবোবৰ ভাগ্যবিধাতাসকলেও নিয়ম কবি বঙ্গমঞ্চৰ গৰাকীসকলৰ মতি গতিৰ সলনি কবিব নোৱাবিলে, আন কিবা উপায়ে পবা যাবনে নাই সন্দেহ। আমাৰ নাটাকাবসকলেও এবাৰ সক কিন্তু সম্পূর্ণ পাচ অঙ্কীয়া নাট লিখিবলৈ আৰম্ভ কবা উচিত। সংস্কৃত গ্রন্থৰ সূত্র অনুযায়ী বা Orthodox schoolৰ অনুসবণ কবি নাটক বচনা কবা যুগ কাহানিবাই অতিবাহিত হৈ গ'ল। সময়ৰ লগে লগে ভাবৰ ধাবাও সলনি হৈছে। এয়েই যুগধর্ম্ম। পুবণিয়ে আমাক সুসুজা হ'ল। পুবণিৰ ভেটিত নতুনক গঢ়ি তুলিব লাগিব।.....নাট্যকাৰসকলৰ যদি বস সৃষ্টিৰ শক্তি আছে তেন্তে এশাবী বাক্যতেই বহুতো কথা প্রকাশ কবিব পাবিব, আৰু যদি সেই শক্তি নাই তেন্তে চাবি পৃষ্ঠা স্বগত উক্তি দিও আছল ভাবটো ফুটাই তুলিব নোৱাবে। এইখিনিতে প্রকৃত ঠাইত প্রকৃত শব্দ প্রয়োগৰ কথাটো আহি পবে। অসমীয়া নাট্যকাৰসকলে নাটকৰ চৰিত্র আৰু ঘটনাৰ সমন্বয়লৈ যিমান বেছি মন দিয়ে সেই অনুপাতে নাটকীয় চৰিত্রবোবৰ কথা-বতবাৰ ভাষাৰ পিনে তিমান মন নিদিয়ে। Dialogue বা কথা-বতবাৰ শব্দ প্রয়োগৰ উৎকর্ষই নাটক এখনক সাফল্যমণ্ডিত কবি তোলাত যে কিমান সহায় কবে তাক কৈ অটাব নোৱাবি।

বিভিন্ন ঘটনাৱলীৰ সমাবেশ কবিলেই নাটক নহয়। উন্নত কথা নাট্যবোবত বিভিন্ন ঘটনাৱলীৰ সমাবেশ হয়, কিন্তু মূল বা কেন্দ্রীয় ভাব থাকে এটা। সেই মূল ভাবটোকে কেন্দ্র কবি ঘটনাৱলীৰ বেহু বচিত হয়। এই বিভিন্ন

ঘটনাৱলীৰ সমাবেশৰ সহায়েৰে কেন্দ্রীয় ভাবটোক তুলি-ধাৰি ডাঙৰ-দীঘল কবি 'ক্লাইমেক্স' বা চৰমসীমা পোৱালৈগে। গতিকে বিবিধ ঘটনাই, বিবোৰ দৃশ্যই, বিবোৰ কথা-বতবাই নাটকীয় মূল ভাবটো প্রকাশ হোৱাত সহায় নকবে, আন পাকে বাধাহে দি নাটকখনৰ মূল উদ্দেশ্যটো ব্যর্থ কবে তেনেবোৰ ঘটনা, দৃশ্য বা কথা-বতবা নাটকবপবা বাদ দিবই লাগিব। কথাটো উদাহবণ দি বুজাবলৈ গলে প্রৰন্ধটো বহত দীঘল হৈ পবিব। এটা কেন্দ্রীয়ভাবক লক্ষ্য কবি পাবম্পবিক সম্বন্ধ থকা ঘটনাৱলীৰ সমন্বয় কবি প্রকৃত স্রষ্টা শিল্পীয়ে কেনেকৈ সেই নাটকীয় প্রাণ বস্তুটো ফুটাই তোলে তাক যিসকলে, বেছি নালাগে, অকণ Ibsen ৰ "Ghosts" আৰু Galsworthy ৰ "Justice" নামৰ নাটক দুখন পঢ়িছে তেওঁলোকে আমি কব খোজা কথাখাৰ বঢ়িয়াকৈ বুজি পাব।...

নাটকত নীতি, ধর্ম্ম আদিৰ বিষয়ে বক্তৃতা থকাটো যুক্তিযুক্ত নহয়। নীতি, ধর্ম্ম, সমাজ আদিৰ সমস্যা লৈয়েই নাটক বচিত হয় সঁচা, কিন্তু কোনো এটা সমস্যাৰ সংস্কাৰ বা কোনো নীতিৰ প্রচাবমূলক বক্তৃতা কোনো অভিনেতা বা অভিনেত্রীৰ মুখত দিয়া উচিত নহয়। নাট্যকাৰে কব খোজা কথাটো এটা ক্ষীণ আৱবণিবে আঁৰ কবি থোৱা উচিত, সেই বিষয়ে মাজেঁ। ইঙ্গিতহে দিব। প্রায়বোব দর্শকেই অভিনয়ত কোনো নীতি বা ধর্ম্মৰ প্রচাবমূলক বক্তৃতা শুনিবলৈ নাহে।...

বস্তুতো অসমীয়া নাট্যকাৰবেই এটা বিষয়ত অসমর্থতা দেখা যায়। সেইটো হৈছে নাটকীয় চৰিত্র সৃষ্টি। বহত অসমীয়া নাটকত প্রধান চৰিত্র কোন কেইটা আৰু তাৰ ভিতবত প্রাধানতম কোনটো তাক বিচাৰি উলিহা টান। নাটক এখনৰ মূল ভাবটোক "ক্লাইমেক্স" পোৱাবলৈ আৰু তাৰ বাবে প্রাধানতম চৰিত্রটোক সহায় কবিবলৈ আন আন চৰিত্রবোৰৰ সৃষ্টি হয়। কিন্তু প্রায়বোৰ নাটকতেই দেখা যায় যে সহকাৰী চৰিত্রবোবে মূল চৰিত্রটোক সহায় কবক ছাৰি সহকাৰী চৰিত্রকেইটাৰ অভিনয়হে একাঠি চবা হয়। নাট বচনা কবোঁতে চৰিত্র দৃষ্টিৰ প্রতি বিশেষ মনোযোগ দিয়া উচিত। বিবোৰ চৰিত্রই নাটকীয় প্রাণ বস্তুটোৰ বিকাশৰ বাটত সহায় নকবে, তেনেকুৱা চৰিত্রবোৰ বাদ দিয়া উচিত। অকণ নাটক এখন ডাঙৰ কবিবলৈকেই কেতবোৰ চৰিত্র সৃষ্টি কবাৰ কোনো অর্থ নহয়।

বঙ্গমঞ্চ ঃ—অসমীয়া বঙ্গমঞ্চবোৰৰ দৃশ্য-সজ্জা, সাজ-পাৰ আলোক সম্পাত, আদি বিষয়ত বৰ দুখীয়া। বিবোৰ চহৰত বৈদ্যুতিক শক্তি পোৱা যায় সেই চহৰবোৰৰ বঙ্গমঞ্চতহে বৈদ্যুতিক শক্তিৰ সহায় লোৱা হয়। কিন্তু এইবোৰ বঙ্গমঞ্চতো বৈদ্যুতিক শক্তিৰ পূর্ণ সহায় লোৱা নহয়। বহুতো অসমীয়া বঙ্গমঞ্চতেই দৃশ্যপটবোৰ কিস্তুত-কিমাকাৰ আৰু বহু ক্ষেত্রত অভিনয়ৰ সময়ত দৃশ্যপট-বিভ্রাট হয়। মোগল যুগৰ নাট এখনৰ বাবে বিবোৰ দৃশ্যপট ব্যবহৃত হয়, তাৰ প্রায় আটাইবোবেই পৌবাণিক নাটৰ অভিনয়ত নচলে। মোগল বাদছাহৰ বাগিচা দেখুৱাবলৈ যিখন ফুলনিৰ দৃশ্যপট ক্ষেপন কবা হয়, অসমীয়া মধ্যবিত্ত গৃহস্থ এজনৰ ফুলনি বাৰীখন দেখুৱালৈকো সেই একেখন দৃশ্যপটৰ সহায় লোৱা হয়। সামাজিক নাটকৰ অসমীয়া চহৰ আৰু গাঁৱৰ আলিবাটৰ দৃশ্যত পাচ ছয় মহলীয়া প্রাসাদতুল্য ঘৰ থকা আলিৰ পট প্রদর্শিত হয়। বহুত সময়ত এনেকুৱা কথাও দেখিছোঁ যে নাটকত বর্ণিত দৃশ্য এটা অভিনয়ত দেখুৱাবলৈ অলপ টান বা ব্যয় সাপেক্ষ হলেই সেই দৃশ্যটোকে নাটখনবপবা বাদ দিয়া হয়। এনেকুৱা যেমেজালিবোৰ আঁতৰ কবা বিশেষ একো টান কথা নহয়, কিন্তু এইখিনি কবাৰ বাটত দুটা অন্তবায় আছে ;—আগ্রহৰ অভাৱ আৰু অর্থৰ অভাৱ। বহুত সময়ত আগ্রহ থাকিলেও অর্থৰ অভাৱত কামখিনি হৈ নুঠে। অভিনয়ৰ পবা যথেষ্ট ধন সংগ্রহ নোহোৱা বাবে দৃশ্যপট আদিত খবচ নকবা কথাটো বুধিয়কৰ চিনাকি নহয়। অভিনয় সুন্দৰ হলে টকা নুঠাকৈ নাথাকে। অভিনয় সুন্দৰ কবিবলৈ হলে দৃশ্যপট আদি অকা বিষয়ত খবচ কবিব লাগিব। গতিকে দর্কাৰ হলে পুজিৰ ধন ভাঙিও অভিনয় সর্ব্বাঙ্গ সুন্দৰ কবাত খবচ কবিব লাগিব। অভিনয় সুন্দৰ হলে খবচ কবা এই ধন দুগুণে হাতলৈ উভতি আহিব। এইদৰে খবচ কবিবলৈ কিপিণালি কবিব নালাগে,কাৰণ বহুত সময়ত উপযুক্ত দৃশ্যপটৰ অভাৱত নাইবা দৃশ্যপট পবিকল্পনা

কৰাৰ অসামৰ্থ্যৰ বাবে ভাল নাটক এখনৰ অভিনয়ো ব্যৰ্থ হৈ যায়। বহুতো দোষ গুচাব পাৰি খণ্ড দৃশ্যপটৰ দ্বাৰা, কিন্তু আমাৰ ৰঙ্গমঞ্চবোৰত খণ্ড দৃশ্যপটৰ বৰ অভাৱ। নাটক এখনৰ অভিনয়ত সফলতা লাভ কৰিবলৈ হলে বহুত সময়ত নতুন দৃশ্যপট অঁকাবলগীয়া হয়। উন্নত ধৰণৰ ৰঙ্গমঞ্চবোৰত তাকেই কৰা হয়। আমাৰ অবৈতনিক ষ্টেজত সিমানখিনি কৰা সম্ভৱপৰ নহব পাৰে, কিন্তু কেতবোৰ সুৰুচিপূৰ্ণ আৰু একাধিক ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰা খণ্ড দৃশ্যপট তৈয়াৰ কৰি লোৱাটোও সম্ভৱপৰ নহয়নে? আমাৰ ৰঙ্গমঞ্চবোৰত stage effect বা illusion আদিৰে দৃষ্টি-বিভ্ৰম কৰা সুন্দৰকৈ আৰু স্বাভাৱিক ৰকমে কৰি দেখুৱা প্ৰায়েই নহয়। যিবোৰ ক্ষেত্ৰত এইবোৰ কথা অপৰিহাৰ্য্য, তেনেবোৰ ঠাইত অভিনয় নিশাৰ আগেয়ে এদিন বা দুদিন ধৰিও এইবোৰ কামৰ পৰীক্ষা (Experiment) কৰা দৰ্কাৰ। আমি এই বিষয়ে এতিয়াও বৰ অমনোযোগী।

এই প্ৰৱন্ধত ৰঙ্গমঞ্চ সম্পৰ্কীয় technique বোৰৰ আলোচনা কৰা মোৰ অভিপ্ৰায় নহয়। গতিকে আজিলৈ দৃশ্যসজ্জা, আলোকসম্পাত, অভিনেতা অভিনেত্ৰী আদিৰ উপযুক্ত সমাবেশ আদিৰ কথা আলোচনা কৰা নহল। ভবিষ্যতলৈ আলোচনা কৰিবৰ মন থাকিল।

পূজাৰী

কবিতা— —শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা বি-এল

স্বাগত হে মাতৃ-পূজাৰ পূজাৰী,
যাচিছোঁ তোমাক প্ৰীতি-উপহাৰ
মোৰ হৃদয় উজাৰি।

আহা হে পূজাৰী
পূজা উপচাৰ লৈ,
হিয়া কাননৰ কুসুম সম্ভাৰ
ৰাখিছোঁ যতন কৈ।

গোৱাহে আৰতি শক্তি-সাধনা গান,
দিয়াহে আহুতি স্বাৰ্থ বাসনা
ভক্তি-অৰ্ঘ্য-বিভূতি-মান।

পুষ্প পাৰিজাতে শোভিছে ধৰণী
জনমভূমিৰ দান,
ই মহাদানৰ পূৰ্ণ গৰিমা
পৰশে তোমাৰ প্ৰাণ।

জনম-ভূমিৰ আশীষত হব
উচ্চ তোমাৰ শিৰ,
কৰ্ম্ম তোমাৰ জনম সাধনা,
তুমি হে কৰ্ম্মবীৰ।

আৰতি

গল্প— —শ্ৰীযুত হৰেন্দ্ৰনাথ কলিতা

(১)

গোলাপ ডিব্ৰুগৰৰ লৰা। আমি একেলগে Presidency কলেজত বি, এ পঢ়িছিলো। সি আছিল "স্কলাৰ"; তাৰ চেহেৰাও আছিল সুন্দৰ। গোলাপ ফুলৰ দৰে তাৰ গাৰ ৰং। কাৰ্ত্তিকৰ দৰে তাৰ ৰূপ। সাজি-পাৰি ওলালে বাটৰ মানুহেও তাৰ ফালে ঘূৰি চাইছিল। বাপেক-মাকৰ সন্তানৰ ভিতৰত লৰা-ছোৱালী এহাল। গোলাপ ডাঙৰ, ছোৱালীজনী সৰু। গোলাপৰ সৰু কালতে বাপেক ঢুকায়। মাকে লৰা-ছোৱালী হালক গুৱাহাটীৰ মোমায়েকৰ ঘৰত ৰাখি লিখা-পঢ়া শিকাইছিল। যিদিনা "গেজেট" ওলাল গোলাপে জলপানী লৈ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছে—ঠিক তাৰ এসপ্তাহৰ পিছতে মাকৰ মৃত্যু খবৰ আহিল। তেতিয়াৰপৰা মোমায়েকৰ ঘৰেই সিহঁতৰো ঘৰ হৈ পৰিল।

এবছৰৰ পিছৰ কথা, গোলাপ তেতিয়া প্ৰেছিডেন্সি কলেজৰ ছাত্ৰ; আই,এ পৰীক্ষা দি ঘৰলৈ গৈছে। পাছ কৰিব নিশ্চয়। দীঘলীয়া বন্ধ। প্ৰথমে প্ৰথমে কিছুদিন ঘৰত থাকি তাৰ ভাল লাগিছিল। তাৰ পিছত এক মুহূৰ্ত্তও থাকিবৰ ইচ্ছা নোহোৱা হ'ল! পঢ়া-শুনা নাই। চিন্তা হল—উদ্দেশ্যহীনভাৱেনো সময় কেনেকৈ কটোৱা যায়। তাৰ উপৰি আন এটা সমস্যাই দেখা দিলে—বিয়া। মোমায়েক-মামীয়েকৰ ইচ্ছা তাৰ বিয়াখন পাতিব লাগে। ছোৱালী মাধৱী, মোমায়েকৰে সম্পৰ্কীয় মৌজাদাৰ এজনৰ জীয়েক। মোমায়েকৰ অৱস্থা ভাল নাছিল। মৌজাদাৰে তেওঁক পঢ়াইছিল। মৌজাদাৰৰ ছোৱালী মাধৱীৰ বিয়াৰ কথা উঠিলত মোমায়েকে গোলাপৰে সৈতে বিয়া দিব বুলি মৌজাদাৰক কথা দিছিল। গোলাপৰ কিন্তু সেই ছোৱালীজনী বিয়া কৰাবৰ মন নাই। তাৰ ইচ্ছা শিক্ষিত ছোৱালী বিয়া কৰোৱা, অন্ততঃ মেট্ৰিক পাছ। মাধৱী বেছি শিক্ষিত নহয়, তাৰ উপৰিও ক্ষীণ। সম্বন্ধীয়াৰ ঘৰতো তাৰ বিয়া কৰাবলৈ মন নাই। মোমায়েক মামীয়েকৰ কিন্তু একান্ত ইচ্ছা যে সেই ছোৱালীজনীকেই গোলাপলৈ বিয়া কৰায়।

গোলাপৰ ভনীয়েক কল্পনাক শ্বিলঙৰ ইঞ্জিনিয়াৰ এজনলৈ বিয়া দিছে। তেওঁ শ্বিলঙত থাকে, নিজৰ ঘৰ দুৱাৰ আছে। কল্পনাই ককায়েক ঘৰলৈ অহা শুনি মাতি পঠিয়ালে। গোলাপে মোমায়েকক চিঠিখন দেখুৱাই ভনীয়েকৰ তালৈ গল।

শ্বিলঙৰ ভিতৰত 'ৱাৰ্ড লেক' বৰ বিতোপন ঠাই। পুৱা-গধূলি ইয়ালৈ বহুত মানুহ ফুৰিবলৈ যায়। এদিন আবেলি গোলাপে লেকৰ পাৰত বেঞ্চ এখনত বহি প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি আছে। এনেতে শৰৎ গৈ তাতে ওলাল। শৰৎ আৰু গোলাপ সৰু কালৰে বন্ধু। একেলগে দুয়ো গুৱাহাটীৰ কলেজিয়েট স্কুলত পঢ়িছিল।

মেট্ৰিক পাছ কৰি সি আৰু কলেজত নপঢ়িলে। বাপেক আছিল শ্বিলঙত ঠিকাদাৰ। তেওঁৰ মৃত্যুৰ পিছত শৰতে সেই কাম হাতত লয়। বহুত দিনৰ মূৰত দুয়োৰো দেখাদেখি। বহুত কথা পাতিলে। কথা প্ৰসঙ্গতে জানিব পাৰিলে শৰতে শ্বিলঙৰ ছোৱালী এজনীক ভাল পায়। তাৰ বিয়া কৰাৰ মন। বেছ শুৱনী ছোৱালী। শৰতৰ ভনীয়েক অঞ্জলীৰ লগত একেটা স্কুলতে পঢ়ে। আতি-গুৰি সোধাত সি ছোৱালীজনী গোলাপক দেখুৱাব বুলি গাত ললে। কথা সিমানতে শেষ হল। শৰত আঁতৰি পৰিল।

লাহে লাহে গোলাপো ঘৰলৈকে যাওঁ বুলি উঠি এবাৰ

লেকৰ চাৰিউফালে চকু ফুৰাই চালে। সন্মুখতে ৰাজেন বৰুৱা, লগতে এজনী গাভৰু ছোৱালী। প্ৰথমতে গোলাপৰ চকু গাভৰুৰ ওপৰতে পৰিল। বৰুৱাৰ লগত গোলাপৰ ভাল চিনা-জনা আছে। এবছৰ সি হিন্দু হোষ্টেলত বৰুৱাক পাইছিল। গোলাপক দেখি বৰুৱাই কিবাকিবি বহুত কথা সুধিলে। গোলাপে কি কলে কবই নোৱাৰে। চকু তাৰ কৰবাতহে আছিল। ছোৱালীজনীয়ে তাৰ কথা কোৱাৰ ভাব-ভঙ্গি দেখি ওঁঠৰ তলতে মিচিকিয়াই হাঁহিলে। গোলাপে তাক লক্ষ্য কৰিছিল। এইবাৰ তাৰ কথাৰ 'তাল' ভালকৈয়ে ভঙ্গ হল। কিবা সুধিছিল কিবা কলে। বৰুৱাই ঠাট্টা কৰি কলে—ডেকা লৰাৰ গাভৰু ছোৱালীৰ প্ৰতি যিমান দয়া, বোধকৰোঁ আন কাৰো প্ৰতি সিমান হব নোৱাৰে। গোলাপে লাজতে তলমূৰ কৰিলে। অলপ সময়ৰ পিছত তেওঁলোকৰ এৰা এৰি হল। গোলাপে এবাৰ ভাবিলে ছোৱালীজনীক মাত লগাওঁ—কিন্তু সাহসে নুকুলালে কিবা ভাবে বুলি।

বাটে বাটে ছোৱালীজনীৰ সম্বন্ধে সি বহুত কথা ভাবিলে। চিনা চিনা যেন লাগিল, কিন্তু কেতিয়া কত দেখিছিল মনত নপৰিল। ভাল বস্তুক ভালপোৱাটো স্বাভাৱিক। গুৱনী ছোৱালী দেখি তাৰো ভাল লাগিল। ছোৱালীজনীৰ আতি গুৰি লবলৈ তাৰ বৰকৈ হেঁপাহ জন্মিল কিন্তু লাজতে কাকো সুধিব নোৱাৰিলে। সিও ডেকা, ছোৱালীও গাভৰু—প্ৰেমত পৰা বুলি ধৰি লব। গতিকে মনৰ কথা মনতে গোপন কৰি থলে।

(২)

এসপ্তাহ পিছত লেকত হোৱা বন্দবস্তমতে গোলাপ শৰতৰ সৈতে তাৰ ইপ্সিত গাভৰুক চাবলৈ গল। ছোৱালীৰ ঘৰ লাইমোখৰাত। বাপেকে ছেক্ৰেটৰিয়েট অফিছত কাম কৰে। দুয়ো বন্ধু গৈ ড্ৰয়িং ৰুমত বহিল আৰু চাকৰ এটাক ছোৱালীৰ বাপেকক খবৰ দিবলৈ কলে। শৰতৰ লগত ছোৱালীৰ বাপেকৰ অলপ জনাশুনা আছিল। তেওঁলোকৰ ঘৰটো সজাৰ সময়ত শৰতে জিনিছ-পত্ৰ কিনোতে অলপ সহায় কৰিছিল; তাৰ উপৰি ভনীয়েক অঞ্জলী তেওঁলোকৰ ঘৰলৈ গৈ থাকে। বুঢ়া আহি এটি হাঁহিৰে তেওঁলোকৰ আগমনত আনন্দ প্ৰকাশ কৰিলে। তেওঁ গোলাপৰ পৰিচয় সুধিলে। গোলাপে সংক্ষেপতে "কলিকতাত পঢ়ো, ইয়ালৈ ফুৰিবলৈ আহিছো" বুলি কৈ থলে। বহুত কথা বতৰা হল। বুঢ়াই চাকৰটো মাতি সিহঁতক চাহ দিবলৈ মালতীক কবলৈ কলে। মালতী বোলোতে গোলাপৰ গা শিয়ৰি উঠিল। সি ভাবিলে ইবেলি উদ্দেশ্য সিদ্ধি হল। শৰতৰ ইপ্সিত বস্তুক নিশ্চয় সি দেখা পাব। অলপ পিছতে মালতীয়ে চাহৰ যোগাৰ লৈ আহি টেবুলত সজাব ধৰিলে। মালতীক দেখি গোলাপৰ কিন্তু মনৰ অলপো পৰিৱৰ্ত্তন নহল। শৰতক সি ইঙ্গিততে সুধিলে "এওঁৱেই হবলা তোমাৰ। তোমাৰ বাছনিক ধন্যবাদ।" শৰতে মুখখন কোচাই নি কলে "এইজনী নহয়হে।" গোলাপে ঠাট্টা কৰি কলে, "তুমি ভুল দেখিছিলা হবলা"—আকাৰে ইঙ্গিতে এইবোৰ কথা পাতি থাকোতে বুঢ়াই মালতীক সুধিলে—মাইকনে কৰিছে কি? মালতীয়ে পঢ়ি আছে বুলি কলে। বুঢ়াই কলে, মই মতা বুলি কোৱাগৈ। ঘৰলৈ আলহী আহিছে, সোধ-পোছ কৰিব লাগে। ক্ষন্তেক পিছতে ভিতৰৰ পৰ্দ্দাখন দাঙি মাইকন সোমাই আহিল। গোলাপে চক্‌খাই উঠিল—সেইদিনা লেকত লগ পোৱা ছোৱালীজনী। শৰতে তাৰ গাত চিকুট্ মাৰি কলে "এইজনীয়েই ছোৱালী।" মাইকনে সোমায়েই সিহঁতক দেখি থমক খাই ৰল; লাজতে তাইৰ মুখ ডালিমটো যেন ৰঙা হৈ পৰিল। পিছ মুহূৰ্ত্ততে গোলাপক লক্ষ্য কৰি কলে, "আপুনি নহা মানুহ দেখো হঠাৎ উপস্থিত।" গোলাপ আচৰিত। একেবাৰে পৰিচিতৰ দৰে কথা। গোলাপে উত্তৰ নৌ দিওতেই বুঢ়াই সুধিলে "মাইকন এওঁক তই চিনি পাৱ?" মাইকনে অলপ লাজভাৱে কলে, "আমাৰ গোলাপ দাদা। প্ৰথমতে ময়ো চিনি পোৱা নাছিলো। সিদিনা লেকৰ পাৰত ৰাজেন মামাৰ লগত লগ পাওঁ। বাটত আহিহে জানিব পাৰিলোঁ আমাৰ গোলাপ দাদা।" বাপেকে এমোকোৰা হাঁহি কলে—অবিকল বাপেকৰ আকৃতি লৈছে। তাৰ পিছত গোলাপক উদ্দেশ্য কৰি

কলে, "বেয়া নাপাবি বোপা। মই চিনি পোৱা নাছিলোঁ। তোৰ পিতা মোৰ বৰ বন্ধু আছিল! তেওঁক হেৰুৱাই মোৰ এখন ভৰি খোৰা হৈছে।" বুঢ়াই লাহে লাহে গোলাপৰ সাতাম পুৰুষৰ কথা কবলৈ ধৰিলে। বুঢ়াই গোলাপহঁতৰ ঘৰৰ আটাইকে জানে; কিন্তু সিহঁতেও কোন ধৰিব পৰা নাই। কথা প্ৰসঙ্গতে জানিব পাৰিলে মাইকন বুঢ়াৰ ছোৱালী, ইবেলি শ্বিলং স্কুলৰপৰা মেট্ৰিক পৰীক্ষা দিছে। সৰুতে তাইৰ মাক ঢুকাইছে। ককায়েক এজন আছে, তেওঁ বিলাতত ডাক্তৰি পঢ়ে। মালতী বুঢ়াৰ তোলনীয়া ছোৱালী, মাইকনৰ সমনীয়া। মাইকনৰ কোনো লগ নাই দেখি বুঢ়াই এই ছোৱালীজনী তুলি তালি ডাঙৰ দীঘল কৰিছিল। তাইৰ বাপেক মাক কোনো নাই।

গুৱাহাটীৰ এজন ভদ্ৰলোকৰ আশ্ৰয়ত আছিল। তাৰেপৰা বুঢ়াই লৈ আহে আৰু তুলি-তালি ডাঙৰ দীঘল কৰে। কথা প্ৰসঙ্গতে বুঢ়াই উলিয়ালে মাইকনক কলিকতাৰ কলেজত পঢ়ুৱাবৰ তেওঁৰ মন। গোলাপ কলিকতাত থাকে যেতিয়া তেওঁৰ লগতে মাইকনক পঠাব। বিদায়ৰ সময়ত মাইকন আহি বাপেকৰ ওচৰত থিয় হল। গোলাপে "এতিয়া আহোঁহে" বুলি বিদায় ললে। মাইকনে মূৰ দুপিয়াই সিহঁতক বিদায় দিলে।

ওৰে বাটে গোলাপে মাইকনৰ কথাকে ভাবি আহিছিল। শৰতৰ কিন্তু মন মৰা। সি গোলাপক ছোৱালী দেখুৱাবলৈ নিলে, অথচ ছোৱালীয়ে তাৰ ফালে এবাৰ কেৰাহিকৈয়ে নাচালে। শৰতে গোলাপক বৰ টেঙৰ বুলি কলে। তাক লাজত পেলাবৰ কাৰণেহে ছোৱালীক সি নেজানো বুলি কৈছিল। শৰতৰ মতে সি গোলাপক নি মহা ভুলহে কৰিলে। গোলাপে কত বুজালে তথাপি শৰত সৈমান নহল।

(৩)

কিছুদিন পিছতে আই-এ পৰীক্ষাৰ খবৰ ওলাল। গোলাপে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ভনীয়েক আৰু ওচৰ চুবুৰীয়া আটায়ে তাৰ কৃতকাৰ্য্যতাত আনন্দ প্ৰকাশ কৰিলে। এদিন আবেলি গোলাপে দুজনমান বন্ধুৰ লগত পদূলি মূৰত থিয় হৈ কথা পাতি আছে। এনেতে মাইকন আৰু মালতী তেওঁলোকৰ ওচৰেদি গোলাপৰ ভনীয়েকৰ ঘৰত সোমাল। মাইকনে গোলাপক দেখি সুধিলে, আপোনাৰ ভাল নহয়নে? আমি আপোনাসকলৰ ইয়ালৈকেই আহিছোঁ। গোলাপে কি কব ভাবিয়ে নাপালে। উত্তৰলৈ বাট নাচাই মাইকনহঁত ভিতৰলৈ সোমাই গল। বন্ধু কেইজনে মাইকন সম্বন্ধে কিবাকিবি কব খুজিছিল। গোলাপে তেওঁবিলাকক অনৈ নিদি আন কথা উলিয়ালে। মাইকনহঁত ভিতৰলৈ গল আৰু কল্পনাৰ লগত বহুত কিবাকিবি কথা পাতিলে। যাবৰ সময়ত আকৌ গোলাপৰ লগত তেওঁবিলাকৰ দেখাদেখি হল। মাইকনে ঠাট্টাৰ সুৰেৰে মাত দিলে, "খবৰ পাইছোঁ, মিঠাই খাবলৈ আহিম।" তেতিয়ালৈকে গোলাপে তেওঁলোকৰ পৰিচয় একো পোৱা নাই। শৰতৰ লগত ছোৱালী চাবলৈ যোৱা শুনিলে কল্পনাই বেয়া বুলিব বুলি সিহঁত যে সেইদিনা মাইকনহঁতৰ ঘৰলৈ গৈছিল তাক কোৱা নাছিল।

গধূলি গোলাপে কল্পনাক লগ ধৰি মাইকনহঁতৰ কথা সুধিলে। কল্পনাই হাঁহি হাঁহি কলে, "দাদা দেখিছোঁ বৰ চালাক। সিদিনা গৈ চাহ-জলপান খাই আহিল আৰু এতিয়া মোক পৰিচয় সুধিছে।" গোলাপে দেখিলে সকলো কথা ভনীয়েকে জানিছে। সি তেতিয়া লাজত পৰি কলে,—এজন বন্ধুৰ লগত পৰি ফুৰিবলৈ যাওঁতে তেওঁবিলাকৰ তাত সোমাইছিলোঁ হয়। তাক তেওঁলোকৰ ঘৰৰ সকলোৱে চিনি পালে, সি হলে কাকো চিনি নাপালে। কল্পনাই কলে—আমাৰ তাৰৈৰ জীয়েক—নাম আৰতি। আইতা জীয়াই থাকোতে মাইকনক তোমালৈ বিয়া দিব খুজিছিল। এতিয়াও তোমালৈ দিব খোজে—বিয়া কৰাবা জানো? গোলাপে সেই কথা পিছত হব বুলি আন এটা কথা উলিয়াই সেই কথা তল পেলাই দিলে।

(৪)

ৰাতি শুই শুই গোলাপে ভাবিছে—মাইকনেই আৰতি। আৰতি সেই সৰু কালৰ আৰতি?—একেবাৰেই পৰিৱৰ্ত্তন। কাৰ সাধ্য তাইক চিনি পায়! লৰা কালৰ কথা তাৰ মনত পৰিল। তেতিয়া গোলাপ হাইস্কুলৰ

তলব শ্রেণীর ছাত্র। সিবেলি সিইতব ঘবত দুর্গোৎসব পাতিছিল। মিতিব কুটুম বহুতো আহিছিল। লবা-ছোৱালীও বহুত গোট খাইছিল। সিইতব ঘবব আগতে পানীব কুৱা এটা আছিল। তাতে আটাইবোৰ লবা-ছোৱালীয়ে বং ধেমালি কবি গা ধুইছিল। গোলাপে গা ধুবলৈ বালটিটো লওঁতে আবতিব লগত টনা-আজোৱা লাগিল। তাই আগেয়ে গা ধুব খোজে—গোলাপে নিদিয়ে। গোলাপব বং উটল আৰু আবতিক গটা মাবি দিলে। বেচেবী লুটি খাই বাগবি পবিল। তাই দুখ পালে আৰু ফেকুবি ফেকুবি কান্দিবলৈ ধবিলে। কোনোবাই গোলাপব বাপেকক কি দিলে সি আবতিক মবা বুলি। গোলাপব বাপেক আহি গিজগিজাই উটল। মিতিবব ছোৱালীক মবা অপবাধ অজীণ পাতকী বুলি ঠাৰমুবি এটা মাবি দিলে। বাগবি পবি গল। পকাত পবি গোলাপব মুব কাটি গল। সো সোকৈ তেজ ববলৈ ধবিলে। বাপেকে কি হল বুলি এবাবো ফিবি নাচালে। গোলাপব দশা দেবি আবতিব কান্দোন কববালৈ গল।

তাই লবি আহি গোলাপক সাবটি ধবি ইনাই বিনাই কান্দিবলৈ ধবিলে আৰু তাই নিজে পিন্ধি থকা ফ্ৰকটো সোলোকাই তেজ মছি দিলে। আবতিইত সেই সময়ত কেবাদিনো গোলাপইতব ঘবত আছিল। সেয়েহে আবতিব লগত তাব পবিচয়। একেবাবে পবিবর্তন—কাব সাধ্য চিনে সেই আবতিয়ে আজি এনে ৰূপ ধবিছে।

(৫)

তৃতীয় বার্ষিক শ্রেণীত আহি গোলাপে নাম লগালে। আবতিকো বাপেকে তাব লগতে পঠাই দিলে। আবতি বেথুন কলেজত ভর্ত্তি হল। বাপেকব নির্দ্দেশমতে গোলাপ আবতিব 'লোকেল গার্জ্জেন' আৰু 'লোকেল ভিজিটব' হল। গোলাপব মোমায়েকে কিন্তু এই কথাটো ভাল নাপালে। তেওঁব ভয় কিজানি গোলাপ হাতচাবা হৈ যায়। গবমব বন্ধ গল—পূজাব বন্ধ আহিল। গোলাপব লগতে আবতি ওৱাহাটীলৈ আহিল। তাতে গোঁসাপ থাকিল, আবতি খিলঞলৈ অকলে গল। বন্ধ খুলিলত আকৌ চিটিবে নিখাদিখি কবি দুয়ো পাণুঘাটত লগ লাগি কলিকতালৈ আহিল। এনেদেবে এবছব পাব হল। দুয়োবো ভিতবত ঘনিষ্ঠতা ভাব বাঢ়ি উঠিল।

দ্বিতীয় বছব আবম্ভ হল। গোলাপ সদায় আবতিইতব হোষ্টেললৈ যায়। মাজে সময়ে সি আবতিক ঘুবাবলৈ নিয়ে। লাহে লাহে ঘুবাব মাত্রাও বেছি হৈ আহিল। এক দেওবাবে তেওঁলোকক দেখিবা দক্ষিণেশ্বৰ মন্দিবত। আৰু এক দেওবাবত দেখিবা বেলুব মঠত। ইডেন গার্ডেন, চাকুবিয়া লেক আদি তেওঁলোকব লাহে লাহে ভাল নলগা হল। গোলাপব বাহিবে আবতি কাবো লগত কোনো দিনে ঘুবিবলৈ নাযায়। চকু চবহা কত জনে তেওঁলোকব বন্ধুত্ব দেখি বেয়া-ভাল বহত কথা কয়। কিন্তু তেওঁলোকে তালৈ ভ্ৰুক্ষেপ নকবে। এদিন হঠাৎ গোলাপে আবতিব বাপেকবপবা এখন চিঠি পালে। তেওঁ 'ব্লাড প্রেছাব' হৈ মবিবলৈ ধবিছিল; কোনেমতে এই বেলিটি বক্ষা পবিল। কেতিয়া ই আকৌ প্রবল হৈ উঠে তাব একো ঠিকনা নাই। এই সময়ত তেওঁ আবতিক এবাব চাবলৈ ইচ্ছা কবে। আৰু সেই চিঠিতে তেওঁ ইয়াকো লিখিছিল "মই হয়তো তোমালোকক আৰু নেদেখিব পাবোঁ। ডাঙব বোপাও বিলাতত থাকিল। মোব এটা অনুবোধ, কর্ত্তব্য দায়ত পবি এনে দবে লিখিলোঁ। লবা-ছোৱালী মাত্রবে বিয়া হয়, বোধকবোঁ তুমিও বিয়া কবাবা নিশ্চয়। যদি বেয়া নোপোৱা অৱশ্যে জোব কবিবব মোব অধিকাব নাই। আবতি মোব একমাত্র ছোৱালী আৰু মবমব ছোৱালী। সকতে মাক মবি গৈছে। মাকব মবম তাই কোনো দিনে নাপালে। তাইক ভাল ঘবত আৰু ভাল পাত্রত দিব পাবিলে ভাল পাওঁ। তেনে আশা সদায় মনত পুহি থৈছোঁ। বুজিছাই—পাত্রব ইচ্ছাই ঘবব ইচ্ছা। যদি বেয়া নোপোৱা তেন্তে আবতিব ভবিষ্যতব ভাব তোমাক গতাব খোজো। মাবাই তেনে ইচ্ছা এবাব প্রকাশ কবিছিল। আবতিলৈকো মই সকলো কথা ভাঙি

লিখিছোঁ। আশা কবোঁ মোব অবিহনে তাইব ভাব তুমি লবা। সকলোবে গম পালে। আবতিব লগত গোলাপ 'এনগেজড্' হোষ্টেলব লেডি চুপাবিনটেনডেণ্টেও গম পালে। তেতিয়াবপবা গোলাপব কাবণে হোষ্টেলব দুৱাব ২৪ ঘণ্টাব কাবণেই মুকলি। সেতিয়াই ইচ্ছা আবতিক গৈ সি দেখা কবি আহিব পাবে আৰু বাহিবলৈ আনতো আপত্তি নকবে। এই আটাইবোৰ কথা লাহে লাহে মোমায়েকব কাণত পবিল। তেওঁ গোলাপলৈ বব খঙেবে চিঠি লিখিলে। তেওঁব মতে গোলাপে আবতিক কেতিয়াও বিয়া কবাব নোৱাবে। যদিহে একান্ত বিয়া কবায়, মাধবীক বিয়া কবাব লাগিব। সকবেপবা তালৈ আশা পালি বৈ আছে। যদি গোলাপে আবতিব লগ নেবে তেন্তে তেওঁ তাব পঢ়াব খবচ বন্ধ কবিব। চিঠি পাই গোলাপব বব দুখ লাগিল আৰু পেটে পেটে খঙো উটল। সি মোমায়েকবপবা এনে চিঠি পাব বুলি কেতিয়াও আশা কবা নাছিল। হোষ্টেলবপবা সি ইডেন গার্ডেনব ফালে ওলাই গল। তাত বেওবাঘ হৈছে, বহুত মানুহে দেখি ধবি তাকে শুনিছে। গোলাপব সেইবোৰ একো ভাল নলাগিল। তাবপবা গার্ডেনব এমুবলৈ গৈ এজোপা জোপোহা ফুল গুছব আবত বহিল। নানা কথা তাব মনত উদয় হল। ঘনাই ঘনাই বাপেকব কথা মনত পবিবলৈ ধবিলে। তাব চকুব পানী ওলাল। সি মাধবীক বিয়া কবাব নোখোজে। মোমায়েকে তাক জোব কবি কিয় বিয়া দিব খোজে, হলেইবা তেওঁব মিতিবব ছোৱালী?

গধূলি হ'ল। প্রায় মানুহেই ঘবমুহা হবলৈ ধবিলে। এনেতে পাছফালবপবা সি কোনোবাই মতা যেন শুনিলে। আবতি! একেবাবে তাব ওচবতে থিয় হৈছে। অলপ দূবত পাঁচ ছজনীমান আন ছোৱালী থিয় হৈ তাইলৈ অপেক্ষা কবিছে, লগতে লেডি চুপাবিনটেণ্ডেণ্টো আছে। আবতিক দেখি তাব বব লাজ লাগিল আৰু "তুমি ইয়াত কিয়?" বুলি খঙ কবি উটিল। আবতিয়ে হাঁহি কলে, "আপুনিনো ইয়াত বাৰু কিয়?" গোলাপে একো উত্তব নিদিলে। আবতিয়ে সকলো কথাব গম পায় যে তাইব কাবণে গোলাপ আৰু মোমায়েকব মাজীয়েকব ভিতবত মনোমালিন্য ঘটিছে। গোলাপে লাহেকৈ উঠি তাবপবা আন ফালে খোজ ললে। আতবিয়ে বাতিঘন ক'লেকো নামাব, ঘবলৈ ম'কৈগে আৰু কিবা কিবি কলে; সি শুনিলে আৰু পাছলৈকো ফিবি নাচালে।

সেই যে খোজ ললে—সি একেবাবে খিদিবপুব পালে গৈ। তাবপবা দুবি ভিক্টবিয়া মেমবিয়েলৈকে আহিল। হোষ্টেল পাওঁতে প্রায় বাব বাজিল। তাবপবা আহিয়েই টেবুলত দুখন চিঠি দেখিলে, আথবতে চিনি পালে এখন আবতিব আনখন কাব ধবিব নোৱাবিলে। আবতিয়ে কি লিখিছে চাবব মনেবে আগধবি তাইব খনকে খুলি পেলালে। পত্রবাহকব হাতত যোঁপাছাব গন্ধ কিতাপপৰন দিবলৈ লিখিছে। সি কম মেটৰ চিঠিখন কোনে দি গল শুনিলে। তাব উত্তবত সি জানিব পাবিলে যে বেথুন কলেজব চাকৰ এজন আহি তালৈকে বহুত পব বাট চাই আছিল।

বহু বাতি হোৱাব কাবণে সি চিঠিখন টেবুলতে থৈ শুচি গৈছে। আনখন চিঠি পঢ়ি জানিব পাবিলে যে ওৱাহাটীবপবা অসম মেইলত শবত আহিছে। তাক লগ নাপাই ওলাই গৈছে, বাতি আকৌ ঙবলৈ আহিব।

চিঠি পাই তাব মনটো আকৌ বেয়া লাগিল। আবতিক লৈ দুয়োবো ভিতবত মনে মনে কাঙিয়া যদিও, সি বাহিবত প্রকাশ পোৱা নাছিল। আবতিক সিও বিয়া কবাব খোজে। সেই আশা এতিয়াও সি মনত পুহি বাখিছে। তেতিয়া সি আকৌ কমবপবা ওলাই গৈ হোষ্টেল কম্পাউণ্ডব ভিতবব ফীহুতে বহি বহি নানা কথা ভাবিবলৈ ধবিলে। চাবিউফালে তাব বিষাদ আৰু অশান্তি।

ফণ্টক পিছতে শবত আহি ওলাল। তাক দেখা পাই গোলাপব খং উটিল যদিও প্রকাশ কবিব নোৱাবিলে। কি কবিব বিদেশ, দেশবাসী বুলিও তাব কর্ত্তব্য আছে। তাব ঘবলৈ আহিছে যেতিয়া অভদ্র ব্যৱহাব কবাটো উচিত নহব বুলি মনে মনে থাকিল।

ৰাতি পুৱাল। শৰত উঠি হাত মুখ ধুই বহিছে। গোলাপ তেতিয়াও বিছনাৰপৰা উঠা নাই। এনে সময়তে বেথুন কলেজৰ চাকৰ আহি আকৌ ওলাল। শৰতে ঠাট্টাৰ সুৰেৰে কলে, উঠা হে মজনু, চিঠি আহিল। তাৰ বিদ্ৰূপৰ হাঁহিত গোলাপৰ বৰ খং উঠিল, কিন্তু সি আলহী বুলি একো নকলে। চাকৰটোৰ হাতৰপৰা চিঠিখন নি বিছনাতে শুই পঢ়িলে। আৰতিয়ে লিখিছে, মোৰ বধ লাগে আপুনি ৰাতি কেতিয়া আহিল জনাব। মোৰ গোটেই ৰাতি টোপনি অহা নাই, ভাবি আছোঁ। ৰাতি কিতাপৰ কথা এনেই লিখিছিলোঁ, কিতাপখন মোৰ হাততেই আছে। গোলাপ বিছনাৰপৰা উঠি চিঠিৰ উত্তৰ লিখিবলৈ বহিল। শৰত কাম আছে বুলি ওলাই গল। গোলাপে সংক্ষেপে তাৰ আগমনৰ কথা আৰতিলৈ জনালে। কেইদিনমান আগতে সি আৰ্ট গেলেৰিৰপৰা কেইখনমান ভাল ছবি কিনি আনিছিল—আৰতিক উপহাৰ দিবলৈ বুলি। তাকে সি লেফাফাত সুমাই দি চিঠিখন চাকৰটোৰ হাতত দি পঠিয়ালে।

(৬)

আৰতিলৈ ফটো আৰু চিঠি দিয়া কেবা দিনো হল। সদায় গোলাপে তাৰ উত্তৰলৈ অপেক্ষা কৰি আছে; কিন্তু উত্তৰ নাহিল। সিও চিঠি নিদিওঁ বুলি অভিমান কৰি থাকিল। এদিন দুদিন, এনেদৰে কেবাদিনো পাৰ হ'ল, আৰতিৰ কোনো খবৰ নাই। তাৰ মনত নানা কথাৰ খেলিমেলি উদয় হল। যি ছোৱালীয়ে দুদিন তাক নেদেখিলে অস্থিৰ হৈ পৰে, দিনত দুবাৰকৈ চাকৰৰ হাতত চিঠি লিখি পঠায় তেওঁ ইমান দিন ধৰি খবৰ নোলোৱাত আচৰিত হল। শেষত অসুখ-বিসুখ হব পাৰে ভাবি কলেজৰপৰা সি বাহিৰে বাহিৰে খবৰ লবলৈ গল। সেই সময়ত আৰতি কলেজত। গোলাপৰ অঞ্জলিৰ লগত দেখা হল। অঞ্জলি কলিকতালৈ আহিবৰ কেইমাহমান হৈছে মাত্ৰ। তেওঁ আৰতিতকৈ এক শ্ৰেণীৰ তলত পঢ়ে, থাকে একে হোষ্টেলতে। আৰতিয়ে তেওঁক গোলাপৰ লগত চিনাজনা কৰি দিছে। অঞ্জলিয়ে গোলাপক দাদা বুলি মাতে। আৰতি নাথাকিলে অঞ্জলিয়ে গোলাপক মাতি নি বহিবলৈ দিয়ে আৰু কথা পাতে। মাজে সময়ে গোলাপৰ লগত তেওঁ ফুৰিবলৈকো যায়। গোলাপে অঞ্জলিক বৰ মৰম কৰে। মাজে সময়ে আৰতিৰ লগত তাইলৈকো উপহাৰ পঠায়। সিদিনাও গোলাপক দেখি অঞ্জলি ওলাই আহিল আৰু 'ভিজিটিং' ৰুমত বহি কথা পাতিছে, এনেতে আৰতি আহি ওলাল। তাই অঞ্জলিহঁতৰ ফালে কেৰাহিকৈ চাই ৰুমলৈ গুচি গল। অঞ্জলিয়ে ভাবিলে আৰতিয়ে গোলাপক নেদেখিলে। তাই লৰা-লৰিকৈ আৰতিক গোলাপে বহুত সময় ৰখি থকা বুলি খবৰ দিলেগৈ। আৰতিয়ে ডাবি মাৰি কলে, তইঁতৰ গল্প আগেয়ে শেষ হক যা। অঞ্জলি বৰ অপ্ৰস্তুত হল। হঠাৎ আৰতিয়ে তাইক কিয় এনেদৰে কলে তাৰ একো অৰ্থ ভাবি নাপালে।

অলপ পিছতে আহি গম্ভীৰ হৈ আৰতি 'ভিজিটিং ৰুমত' বহিল। গোলাপে তাইৰ কিবা অসুখ বিসুখ হৈছে নেকি বুলি সুধিলে। আৰতিয়ে একো হোৱা নাই বুলি কলে। সিদিনা গোলাপে কথাবোৰ অলপ অন্য ধৰণৰ পালে। গোলাপতকৈয়ো তাইৰ অভিমান বেছি। গোলাপে তাইৰ এই পৰিৱৰ্ত্তনৰ কাৰণ একো নুবুজিলে। আৰতিয়ে তাৰ লগত ভালকৈয়ে কথা কবকে নোখোজে। গোলাপে সুধিলে, আৰতি তোমাৰ এনে অভিমানৰ কাৰণ কি?—চিঠি দিলো, উত্তৰ নিদিলা, আগ্ৰহ কৰি চাৰিখন ছবি পঠিয়াইছিলো, তাক পোৱা খবৰো নজনলা। আৰতিয়ে অভিমানৰ সুৰত কলে, আপোনা-সকলৰ চিঠি লিখিবলৈ কেৰাণি আছে; আমাকনো কোনে চিঠি লিখি দিব। ছবি দুখন পাইছোঁ সেই কাৰণে ধন্যবাদ। আৰতিৰ কথাৰ কৰ্ম্ম সি একো বুজিব নোৱাৰিলে। তাইৰ কথা কোৱাৰ ধৰণ দেখি গোলাপে ঘৰ বেজাৰ পা আৰুলে, আৰতিক কলে, তোমাৰ ব্যৱহাৰত মই আচৰিত হৈছোঁ। অচিনাকি মানুহৰ লগত কথা কোৱাৰ নিচিনাকৈ কৈছা? মই অহাত যদি তুমি বেয়া পাইছা তেনেহলে আজিৰপৰা নাহো। আৰতিয়ে তাৰ একো উত্তৰ নিদি চকুৰ পানী টুকিলে। গোলাপে দেখিলে সিও এক নতুন অভিনয়। আৰতিয়ে দুখন ছবি

পোৱা শুনি সি আচৰিত হল আৰু আৰতিক সুধিলে 'সঁচাকৈয়ে কোৱাচোন, আৰতি তুমি কেইখন ছবি পাইছা? —"দুখন"।

গোলাপে কলে, হবই নোৱাৰে, মই চাৰিখন পঠাইছিলো, তুমি মিছা কথা কৈছা। মিছলীয়া বোলাত আৰতিয়ে বৰ বেজাৰ পালে, আৰু গোলাপৰ মুখৰ ফালে চাই কলে, "মইতো মিছলীয়াই—সঁচা বুলি কলে জানো বিশ্বাস কৰিব। আপোনালোকৰ কথাবোৰহে শিলৰ ৰেখা।" তাইৰ ব্যৱহাৰত গোলাপৰ বৰ খং উঠিল আৰু আজিৰপৰা নাহোঁ বুলি উঠিল। আগে পিছে গোলাপ আহিব খুজিলে আৰু অলপ বহক বুলি ধৰি টানি ৰাখে, গেটত আগবঢ়াই থৈ যায়হি। সেইদিনা গোলাপ ওলাই আহিল, আৰতি বহা ঠাইৰপৰা নুঠিলেই, গোলাপক মাতো নিদিলে; কেৱল চকুৰ পানী মচি থিতাতে বহি থাকিল।

এমাহৰ পিছত গোলাপ শ্বিলঙলৈ যাবলৈ ওলাল। ভনীয়েকৰ লৰা এটি হৈছে; তাৰে অন্নপ্ৰাশনৰ কাৰণে তাক মাতি পঠিয়াইছে। সি যোৱা গম পালে বাপেকে আৰতিৰ খবৰ সুধিব, সেই কাৰণে সি আৰতিলৈ 'ফোন' কৰিলে। তাৰ উত্তৰত আৰতিয়ে জনালে, আপুনি পিতাই সুধিলে কব তেওঁৰ আৰতি কেতিয়াবাই মৰি গৈছে। তেনে উত্তৰ পাই গোলাপৰ বেয়া লাগিল। সি ভাবিলে ইয়াৰ ভিতৰত কিবা এটা ডাঙৰ ৰহস্য আছে। সেইহে আৰতিৰ ইমান অভিমান। ঘৰৰপৰা আহি তাইৰ অভিমান ভাঙিব লাগিব।

(৭)

অন্নপ্ৰাশনৰ উৎসৱ শেষ হল। সি তাৰপৰা মোমায়েকৰ ঘৰলৈ আহিল। তাতে কেইদিনমান থাকি আকৌ কলিকতালৈ আহিবলৈ ওলাল। আহিবৰ দিনা ৰাতিপুৱা মোমায়েকক টকাৰ কথা কলে। টকাৰ কথা কবলৈহে পালে মোমায়েকে গিজগিজাই উঠিল। "তোক টকা লাগিছে কিয়? মই টকা দিব নোৱাৰো। তই যেনেকৈ পাৰ পঢ়গৈ।" গোলাপে কলে,'মামা, মই আপোনাৰ কথা একো বুজিব পৰা নাই।'—বুজিবি কেনেকৈ? মই তোক পঢ়াৰ খৰচ দিছোঁ, ছোৱালীক ছবি কিনি উপহাৰ দিবলৈ দিয়া নাই।" গোলাপে কলে, "মামা আপুনি কি কৈছে! মই কাক কি উপহাৰ দিছোঁ!" মোমায়েকে কলে, "মিছলীয়া, মই যেন জনাহে নাই,। মোৰ আগত ফাঁকি দিবলৈ আহিছ।" এনেদৰে বহুত অকথ্য কথা কৈ তিনিখন ছবি আনি গোলাপৰ আগত ধৰিলে গোলাপ আচৰিত। এই ছবি তেওঁ পালে কেনেকৈ? এই ছবি তেওঁ সেই দিনা আৰতিলৈ উপহাৰ পঠিয়াইছিল। এই ছবিৰ কাৰণে তেওঁ আৰতিৰ লগত বেজেৰা বেজেৰি হব লগাত পৰিল। কোনোবাই নিশ্চয় তেওঁবিলাকৰ মাজত মানোমালিন্য ঘটাবৰ কাৰণে এইখন কৰিছিল।

এই কথাৰ মূলতে সি শৰতক সন্দেহ কৰিলে। কিন্তু ছবি আৰতিয়ে দুখন পালে কেনেকৈ? তাৰ ভিতৰতো কিবা এটা ৰহস্য আছে। সি মোমায়েকক ছবি কেখন খুজিলে। মোমায়েকে কি আৰু ছবি দিয়ে—জুই লগাই গোলাপৰ আগতে পুৰি পেলালে। লাজতে গোলাপ তলমূৰ হৈ ৰল।

এই লৈয়েই গোলাপৰ লগত মোমায়েকৰ ভালকৈয়ে মনোবাদ ঘটিল। সি মোমায়েকক জনালে যে সি আৰতিক বিয়া কৰাবই। আৰতিয়ে তাক ভাল পায়, সিও আৰতিক ভাল পায়। এনেস্থলত মোমায়েকৰ তাত প্ৰতিবন্ধক হোৱা উচিত নহব। মৌজাদাৰৰ লগত তেওঁৰ কিবা বাধ্যবাধকতা থাকিব পাৰে; সেই বুলি যে তেওঁৰ ছোৱালীক গোলাপে বিয়া কৰাব লাগিব তাৰ একো মানে নাই। এনেদৰে মোমায়েকৰ লগত বহুত কথা কটা-কটি হল। মোমায়েকৰ মতে সি কেতিয়াও আৰতিক বিয়া কৰাব নোৱাৰে। তাৰ পিছতে সি কলিকতালৈ আহিল।

কলিকতা পোৱাৰ দুদিন পিছতে সি আৰতিক দেখা কৰিবলৈ গল আৰু ফটোৰ ৰহস্য সম্বন্ধে সকলো কথা ভাঙি পাতি কলে। মোমায়েকৰ লগত তেওঁৰ বিয়া কৰোৱা সম্বন্ধে যিবোৰ কথা হল তাকো জনালে। আৰতিয়ে কিন্তু সেই কথাবোৰত একো হা-না, নকৰিলে। তাইৰ মতে গোলাপে তাইক ভালৰি লগাবলৈহে এই কথাবোৰ

কৈছে। মোমায়েকে ছবি পুৰি গেলোৱাটো মিছা কথা। আবতিয়ে এক প্ৰকাৰে গোলাপক জনালে, সি যেন তাইক আমনি কৰিবলৈ নাহে। আপোনাৰ ইপ্সিত অপ্সৰী আছে। গোলাপে তাইৰ কথাৰ মৰ্ম্ম একো বুজিব নোৱাৰিলে। সি বেজাৰ কৰি হোষ্টেলৰ ফালে ওলাই আহিল।

(৮)

ইফালে মোমায়েকৰ লগত গোলাপৰ ভাল দৰেই মনোমালিন্য ঘটিল। তেওঁ টকা কড়ি বন্ধ কৰি দিলে। গোলাপে মোমায়েকলৈ এখন চিঠি লিখিলে যে তেওঁ খৰচ কৰিছে বাপেকৰ টকা; মোমায়েকে লিখিলে যে বাপেকে যি টকা সিহঁতৰ কাৰণে তেওঁক দি গৈছে, তদীয়েক কল্পনাক বিয়া দিবঁতে আৰু তাক পঢ়াবঁতে আটাইবোৰ খৰচ হৈ গৈছে।

মোমায়েকপৰা সি আৰু এটা পাই পইছাও নাপায়। লাহে লাহে তেওঁলোকৰ কাজিয়া বাঢ়ি উঠিল—ফলত গোলাপৰ পঢ়া বন্ধ হল।

গোলাপ ঘৰ ডাঙৰ সমঞ্জাত পৰিল। ছোষ্টেলৰ 'dues' লাহে লাহে বাঢ়ি যাবলৈ ধৰিলে। ছোষ্টেলৰ ছুপাৰিণ্টেনডেণ্টে নটিছ্ দিলে যে সি তাৰ 'dues' দি হোষ্টেল এৰিব লাগে। তাৰ কুটা-কড়ি এটাও নোহোৱা হল। কিছুদিন বন্ধু-বান্ধৱপৰা হাত খৰচ চলালে। তাক টকা দিলে পাবৰ আশা নাই দেখি শেষত বন্ধুবান্ধৱেও তাৰ ফালে পিঠি দিলে। হাতত টকা থাকিলেও নাই বুলি কোৱাত পৰিল। হোষ্টেলৰপৰা কিতাপ-পত্ৰবোৰ 'dues' ত কাটি ললে আৰু তাক এদিন হোষ্টেলৰপৰা উলিয়াই দিলে। বেচেৰা গোলাপৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা হল। সি গৈ এজন বন্ধুৰ আশ্ৰয়ত এটি বৰ্ডিঙত উঠিল।

এদিন ফুৰিবলৈ গৈ ঢাকুৰিয়া লেকত হঠাৎ আবতিক দেখিলে আন এজন লৰাৰ লগত। লৰাজন বেছ ফিটফাট, গাত ছাহাবী সাজ। ছুয়ে একেলগে লেকৰ পাৰত বহি গল্প কৰিছে। দেখি গোলাপৰ সহ্য নহল। সি বৰ্ডিঙলৈ আহি তাৰ অতীত জীৱনৰ কথা ভাবিবলৈ ধৰিলে। কি আছিল, কি হল। আবতিৰ লগতেই বা তাৰ এতিয়া সম্বন্ধ কি? ছুদিন পিছত তাই বি, এ, পাছ কৰিব। কত ডাঙৰ মানুহৰ লৰাকে তাই ইচ্ছা কৰিলে বিয়া কৰাব পাৰিব। মোৰ নিচিনা বাটৰ ভিকহু এটাক তাই ফিৰি চাব কেলৈ? তাৰ মনতো কত উচ্চ আকাঙ্ক্ষা আছিল, কত কি হব বুলি ভাবিছিল সকলোবে মুখত কুঠাব পৰিল। তাৰ ভাগ্যত বি, এ পাছ কৰা নহল। ডাঙৰ মানুহ হোৱা সকলো ইচ্ছা গল, সকলো আকাঙ্খা মাৰ গল। ইয়াৰ কাৰণে দায়ী কোন? সি নে আবতি?

এইবোৰ নানা চিন্তাই তাক অন্যা-কলা কৰিবলৈ ধৰিলে। শেষত ঘৰলৈ যাওঁ বুলি মনতে স্থিৰ কৰি টকাৰ কাৰণে কেবাজনো আত্মীয়লৈ লিখিলে কিন্তু কেৰ্লে এটা পইছাও নপঠিয়ালে। তাৰ যোৱা খৰচটো কোনোমতে নাগালে। শেষত বন্ধুজনকো তাৰ কাৰণে বঁডিঙৰ মেনেজাৰে ৰব বাতিবত্ত কৈ তুলিলে। তেওঁ মুখ ফুটাই একো নকলে যদিও সি গলে ভাল পায়। শেহত উপায় নাপাই সি চাকৰি বিচাৰিব ধৰিলে। কিছুদিনৰ পিছত এটা কেৰেণিৰ কাম পালে। চাকৰি পায়ো তাৰ মনত শান্তি নাহিল। প্ৰত্যেক মুহূৰ্ত্ততে আবতিৰ ছবি চকুৰ আগত ভাহিবলৈ ধৰিলে। মদ খালে কিজানি শান্তি পোৱা যায় ভাবি লাহে লাহে মদ আৰম্ভ কৰিলে।

এমাহ, ছমাহইকৈ তাৰ এবছৰ পাৰ হল। সিবেলি আবতি থাৰ্ড ইয়েৰত। সি মাজে সময়ে আবতিক দেখে সেই লেকত লগ পোৱা লৰাজনৰে সৈতে ঘুৰা। সেই দৃশ্য সি কোনোমতেই সহ্য কৰিব নোৱাৰে। একোবাৰ তাৰ ইচ্ছা হয় হালকে হত্যা কৰে, কিন্তু তাৰ সাহস নাছিল। এদিন হঠাৎ খবৰ কাগজত পালে—আবতিৰ বিয়া এজন ডাক্তৰৰ লগত। তাৰ মৃত সৰগ ভাগি পৰা যেন লাগিল।

যাৰ কাৰণে আজি তাৰ এনে দুৰ্দ্দশা সেইজনীয়ে আজি আনৰ লগত বিয়া সোমাই ঘুৰিছে। তাৰ মুৰ ঘুৰি গল আৰু গা অসুস্থ কৰিছে বুলি অফিছৰপৰা ছুটী লৈ শুচি আহিল। আবতিৰ চিন্তাই তাৰ মন ওলট পালট লগাবলৈ ধৰিলে। একো উপায় নাপাই এবটল মদ কিনি আনি

খালে। তাতো তাৰ চিন্তা উপশম নহল। কেৱল আবতিৰ চিন্তাই তাৰ অন্তৰত বাজিব ধৰিলে। ওৰে ৰাতি তাৰ টোপনি নাই—কেৱল সেই একেটা চিন্তা। বাতিপুৱা অফিছলৈ গল, কাম কৰিবৰ তাৰ ইচ্ছা নাই। তাতো গৈ আবতিৰ কথাকে ভাবিছে। শেষত স্থিৰ কৰিলে ইয়াৰ সি প্ৰতিশোধ লবই লব। সি জীয়াই থাকোতে তাৰ আবতিক আনে নিব নোৱাৰে।

এদিন, ছদিন, এনেদৰে কেবাদিনো গল। আবতিৰ চিন্তাই তাক পগলা কৰি তুলিলে। অফিছৰ কামত তাৰ মন নবহে। লাহে লাহে কামবোৰ বাকী পৰি যাব ধৰিলে। কেবা দিনো ছাহাবৰ চকুত পৰিল, সি কাম কাজ নকৰি বহি থকা। এদিন মাতি নি তাক সতৰ্ক কৰিও দিলে; তথাপি তাৰ মনৰ পৰিবৰ্ত্তন নহল। এদিন ছাহাবে তাৰ কাম কাজ পৰীক্ষা কৰি চাই দেখিলে যে বহুত দিনৰ কাম বাকী পৰি আছে। তাক সোধাত সি কোনো সন্তোষজনক কৈফিয়ৎ দিব নোৱাৰিলে। শেষত কৰ্ত্তব্যত অবহেলা কৰাৰ কাৰণে তাক কামৰপৰা খেদাই দিলে। সি যিবা বহু চেষ্টাৰ ফলত এটা চাকৰি পাইছিল তাকো নিজৰ দোষত হেৰুৱালে।

(৯)

অঞ্জলিয়ে শৰতৰ মুখবপৰা গোলাপৰ দুৰবস্থাৰ কথা শুনিলে। তাই সেই কথাবোৰ আবতিৰ আগত কব খোজে কিন্তু আবতিয়ে আন কথা উলিয়াই সেই কথা তল পেলাই দিয়ে। আবতিয়ে গোলাপৰ কথা শুনাটো এটা অপৰাধ বুলি ভাবে। আবতিৰ মনত এই অঞ্জলিএ্যেই তেওঁবিলাকৰ মনোবিচ্ছেদৰ কাৰণ; কিন্তু বেচেৰী অঞ্জলিয়ে সেইবোৰ কথাৰ একো ভু নাপায়। অঞ্জলিয়ে গোলাপৰ অৱস্থাৰ কাৰণে সহানুভূতি দেখুৱাব খুজিলেই আবতিয়ে কয়, তই গৈ তেওঁক শান্ত্বনা দিদিয় কিয়? অঞ্জলিয়ে হাঁহি সকলো কথা উৰুৱাই দিয়ে।

পৰীকাৰ আগতে হঠাৎ আবতিৰ অৱ হল। লাহে লাহে তাই বৰ দুৰ্ব্বল হৈ আহিল। ডাক্তৰ মাতি দেখুৱালে কিন্তু বোগ কি তেওঁ সঠিক ধৰিব নোৱাৰিলে। কাৰো কাৰো মতে মানসিক চিন্তাই ইয়াৰ কাৰণ বুলি কয়. এদিন ঔষধ কিনিবৰ কাৰণে আবতিয়ে অঞ্জলিক ছুটকেছ খুলি টকা দিবলৈ কলে। অঞ্জলিয়ে ছুটকেছ খোলোতে এখন চিঠিৰ ওপৰত চকু পৰিল। আখবতে চিনি পালে শৰতৰ লিখা। তাই লৰালৰিকৈ চিঠিখন আনি আবতিক দেখুৱাই কলে, "এই চিঠিখন কত পালা?" আবতিয়ে কি চিঠি চাওঁ বুলি কাঢ়ি ললে। অঞ্জলিয়ে আবতিক লক্ষ্য কৰি কলে, "মই মাৰ্লে চিঠি লিখোছে—দাদাই তোমালৈ চিঠি লিখে!" আবতিয়ে তাইৰ কথা শুনি আচবিত হল, আৰু কি কথা কৈছে ভালকৈ বুজাই কবলৈ কলে।

অঞ্জলিয়ে চিঠিখনলৈ আঙুলিয়াই কলে, "সেইয়া দেখোন দাদাৰ আখব, মই জানো চিনি নাপাইছো।"—কথা শুনি আবতিয়ে হাঁহিলে। তাৰ পিছত অঞ্জলিয়ে কি লিখিছে চাওঁ বুলি হাতবখৰা চিঠিখন কাঢ়ি নি পঢ়ি চাওঁতেই তাইৰ নিজৰ ফটো এখন ওলাই পৰিল। তাই ফটো খন হাতত লৈ কলে, "এইখন পালা কত? মই দাদুলৈ উপহাৰ পঠিয়াইছিলো; তোমাৰ ইয়ালৈ আহিল কেনেকৈ?" আবতিয়ে একো নকওঁতেই চিঠিৰ তলত গোলাপৰ নামতো অঞ্জলিৰ চকুত পৰিল। তাই বৰ আচবিত হল। লিখা দাদাকৰ, নাম গোলাপৰ। তাৰ পিছত ছুয়োবো ভিতৰত এই সম্বন্ধে বহুত কথা হল। আৰু শৰতে যে এইবোৰ অঘটন ঘটাইছে সিও ওলাই পৰিল। আবতিয়ে আছল কথা জানিব পাৰি এটি ছমুনীয়া পেলাই চকুলো টুকিব ধৰিলে। তাই তেতিয়াহে বুজিলে গোলাপৰ সকলো কথা সঁচা; তাইহে তাৰ ওপৰত ইমান দিনে ভুল ধাৰণা কৰি আছিল। তাইৰ কাৰণে যে আজি গোলাপৰ এনে দুৰবস্থা তাক বুজিব পাৰিলে। গোলাপক মাতি আনি ক্ষমা-ভিক্ষা মাগিবৰ কাৰণে তাই বৰ উত্তাৰুল হৈ পৰিল।

কাম যোৱাৰ পিছবপৰা গোলাপৰ মদ খোৱাৰ মাত্ৰা বাঢ়ি আহিল। স্বাভাৱিকতে মদীয়কলৰ যি অৱস্থা তাৰো সেয়েই হল। বাটৰ মানুহে তাক লেই লেই চেই চেই কবাত পৰিল। কেবাদিনো বাস্তাবপৰা পুলিছে ধৰি নি তাক হাজততো ৰাখিছিল। ইফালে আবতিৰ কাণত সকলো কথা পৰিবলৈ ধৰিলে। কেবাজন মানুহৰ আগতো তাক মাতিবলৈ খবৰ পঠিয়াইছিল; কিন্তু সি

ঠাট্টা করা বুলি নগল। ইফালে আৰতিবো বেমাৰ লাহে লাহে বেছি হৈ আছিল। ডাক্তৰে ঘৰলৈ যাব লাগে বুলি উপদেশ দিলে। আৰতিৰ ইচ্ছা তাই ঘোৱাৰ আগেয়ে গোলাপক এবাৰ চাই যায়। এদিন তাইৰ বেমাৰ হঠাৎ বঢ় বেছি হৈ উঠিল। তাই অজলিক ধৰিলে নেনে তেনে গোলাপক আনি দিব লাগে। ককাইক শৰতৰ মুখে অজলিয়ে গোলাপ থকা ব'ডিংটোৰ নাম শুনিছিল। তাই লৰা লৰিকে দাবোৱানৰ সৈতে ব'ডিংটৌলৈ গোলাপক বিচাৰি আহিল। গোলাপ তেতিয়া মদ খাই টং হৈ আছে। অজলিয়ে গৈ তাক আৰতিয়ে মতা বুলি কলে। আৰতিয়ে মতা শুনি সি হোহোকৈ পাৰেমানে হাঁহিলে। অজলিয়ে কথা উলিয়াবই নোৱাৰে সি হাঁহি উকৰাই দিয়ে। একো উপায় নেদেখি অজলি হোষ্টেললৈ ফিৰি আহিল। গোলাপক আনিব নোৱাৰিলে। আৰতিয়ে তাৰ অৱস্থাৰ কথা শুনি পাৰেমানে কান্দিলে।

তাৰ পিছদিনা গোলাপৰ মদৰ নিচা এবিলত আৰতিয়ে মতা কথা মনত পৰিল। অজলিয়ে তাক কৈ গৈছে আৰতিৰ বেমাৰ। তাৰ মন বৰ অস্থিৰ হৈ উঠিল, এবাৰ আৰতিক চাবলৈ। হোষ্টেললৈ সি যায় কেনেকৈ তাৰ ভাল কাপোৰ এখনকে নাই। কেৰাজন বন্ধুৰ ওচৰলৈ কাপোৰ বিচাৰি গল। সকলোৱে একে সুৰতে ভাল কাপোৰ নাই, ধোবীৰ ঘৰত আছে, যি আছে সিইতকে দুদিৰ চাকিলৈ যাওঁতে দৰ্কাৰ হলি তাক বিমুখ কৰি পঠিয়ালে। ঘৰলৈ আহি বিছনাতে পৰি পাৰেমানে কান্দিলে। পঢ়া অৱস্থাত তাৰপৰা কতজনে কাপোৰ নি পিন্ধিছিল, কতজনক সি টকা পইছা দি সহায় কৰিছিল। আজি সি এখন কাপোৰ পিন্ধিবলৈ কতো খুজি নাপালে। এনেবোৰ কথা ভাবি চিন্তি থাকোতেই অজলি আহি আকৌ ওলাল। লগত সেই আৰতিৰ লগত দুবা ডেকাজন। অজলিয়ে গোলাপক লৰালৰিকৈ ওলাবলৈ অনুৰোধ কৰিলে আৰু লগত অহা ডেকাজনৰ লগত চিনা পৰিচয় কৰি দিলে। গোলাপে ইমান দিনে পুহি থোৱা ভুল ধাৰণা প্ৰকাশ হল। সেই ডেকাজনেই আৰতিৰ দাদাক, ডাক্তৰ। গোলাপে লৰালৰিকৈ যেনে আছিল তেনে কৈয়ে আৰতিক চাবলৈ গল।

আৰতিয়ে প্ৰায় ২০ দিন ধৰি বিছনাতে পৰি আছিল। ডাক্তৰে ঔষধ দিলে ঔষধ নাখায়; কোনো পথ্য আদিও কোনেও খুৱাব নোৱাৰে। মাতিলেও খঙ কৰি উঠে। তাই বিছনাপৰা লৰচৰ কৰিব নোৱাৰে। দিনে দিনে শুকাই খীণাই হাড়হালত লাগিছেনৈ। গোলাপ গৈয়ে আৰতিৰ বিছনাতে বহিল আৰু আৰতি আৰতিকে মাতিলে। আৰতিয়ে চকু মুদি আছিল, আৰু মতা শুনি "মোৰ নেমাতিবি" বুলি গোলাপৰ হাত দুখন আতৰাই দিলে। অজলি ওচৰতে থিয় হৈ আছিল। তাই ওচৰলৈ গৈ আৰতিৰ কাণৰ কাষত কলে গোলাপ দাদা আছিছে—গোলাপৰ কথা শুনি ঘপ কৰে উঠিল যেন তেওঁৰ একো বেমাৰ হোৱাই নাই। গোলাপৰ হাত দুখন সাবটি ধৰি এটি মিচিকিয়া হাঁহি মাৰিলে আৰু কলে, "আপুনি আছিছে।" গোলাপৰ মুখৰপৰা একো কথা নোলাল। কেৱল আৰতিৰ মুখৰ ফালে ৰ লাগি চাই থাকিল। পিছ মুহূর্ত্তকে আৰতিয়ে কান্দিব ধৰিলে। গোলাপে শান্ত্বনা দি কলে, 'নাকান্দিবা, অসুখ কৰিব।' আৰতিয়ে কলে—মোৰ মৰণ নাই মই নমৰোঁ। এনেতে পিছফালৰপৰা অজলিয়ে ঠাট্টাৰে কৈ উঠিল, "আজি ২০ দিন ধৰি বিছনাৰপৰা উঠি ঔষধকে খাব নোৱাৰে হঠাৎ গোলাপ দাদাৰ উপস্থিতিত ইমাননো বল কত পালে।" তাইৰ কথা শুনি দুয়ো হাঁহিলে গোলাপে অজলিক কলে "ঔষধ পাতি আনি গুউবা নাই জানো?" অজলিয়ে "আপুনি আছিছে যেতিয়া ঔষধ নাখালেও হব" বুলি আঁতৰি পৰিল।

কথা কৈ থাকোতে থাকোতে হঠাৎ আৰতি ঢলি পৰিল। কি হল বুলি অজলি আৰু গোলাপে দাঙি ধৰি শুৱালে। দাদাক আহি নাড়ী পৰীক্ষা কৰি চালে। আৰতিৰ অৱস্থা শঙ্কটাপন্ন। গোলাপে আৰতিক সাবটি ধৰি মাতিলে, "আৰতি! আৰতি।" আৰতিয়ে গোলাপৰ হাত দুখন বুকুৰ মাজত লৈ এবাৰ তাৰ ফালে চকু মেলি চালে। তাৰ পিছতে সকলো শেষ। আৰতিয়ে 'হার্টফেইল' কৰিলে। গোটেই ঘৰ জুৰি হাহাকাৰ লাগি উঠিল।

পৃথিবীৰ আদি কবি

—শ্ৰীযুত জিতেন্দ্ৰনাথ বুজৰবৰুৱা বি-এ

পৃথিবীৰ প্ৰথম কবি কোন? স্বাভাৰিকতে এনেকুৱা প্ৰশ্ন মননলৈ আহে। উত্তৰ সহজে পোৱা টান। এইবিলাক প্ৰশ্নৰ উত্তৰ বহুত গৱেষণা আৰু যুক্তিপূৰ্ণ প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰে। এতিয়া এই প্ৰৱন্ধত পৃথিবীৰ আদি কবি কোন সেই বিষয় কিছু আলোচনা কৰা হল।

ডাঙৰ ডাঙৰ পণ্ডিতসকলে এই বিষয় লৈ গৱেষণা কৰিছে। নানা পণ্ডিতৰ নানা মত। কিছুমানে কয় গ্ৰীককবি হোমাৰ (Homer) পৃথিবীৰ প্ৰথম কবি। কিছুমানে কয় ভাৰতবৰ্ষৰ বাল্মীকি মুনিহে আদি কবি। এই দুজনৰ আকৌ কোন জন প্ৰথম কবি তাৰ সঠিক উত্তৰ আৰু প্ৰমাণৰ আৱশ্যক। বাল্মীকিৰ "ৰামায়ণ" আৰু হোমাৰৰ "ইলিয়াদ" (Iliad)—এই দুখনৰ নাম সকলোৱে জানে। দুয়োখনেই মহাকাব্য। দুয়োখনেই উচ্চ স্থান পাইছে। কিছুমান পণ্ডিতে কয় বাল্মীকিয়ে হোমাৰৰ ইলিয়দৰ কথাবোৰ ধাৰ কৰি ৰামায়ণখন লিখিছে। কিছুমানে প্ৰমাণ কৰি দেখুৱাইছে হোমাৰেহে বাল্মীকিৰ ৰামায়ণখন নকল কৰি ইলিয়াদখন লিখিছে। মনীষীসকলে এই বিষয় যি যি প্ৰমাণ দেখুৱাইছে সেইবোৰ মন কৰিব লগীয়া। মিঃ এছ, ভি, ৱাৰ্টিয়ে (Mr. S. G. Warty) ওপৰোক্ত বিষয় লৈ এটা প্ৰৱন্ধ লিখোতে আৰম্ভণিতে এইদৰে লিখিছে—

"Years ago a very interesting and vigorous controversy took place between a great western scholar and a great Indian scholar on which it seemed the attention of the learned world was centred for the time being. The question under discussion was as to who was the world's first poet, and it arose in this. Wise Prof, Weber of the Berlin University propounded a theory that the Ramayana, the famous epic of the Hindus, was copied from Homer. The plots were practically common with slight differences and there were other circumstances also which could, according to the Professor, be construed into evidence to support his theory.

"This theory was vigorously controverted by Mr. (afterwards Justice) K. T. Telang of Bomday in a very comprehensive reply which was published in the Indian Antiquary and entitled "Was the Ramayana copied from Homer?" Mr. Telang's convincing arguments supported by unimpeachable evidence gave a quietus to the controversy, which though it lingered for a little while thereafter, led to the general acceptance of the conclusion that only by an unjustifiable stretch of the imagination could it be said that the plot of the "Ramayana" was based on the story of Homer's Iliad."

বাৰ্লিন য়ুনিভাৰ্ছিটৰ বিখ্যাত প্ৰফেছৰ ৱেবাৰে (Prof. Weber) কয় ৰামায়ণখন হোমাৰৰ ইলিয়দৰপৰা নকল কৰি লেখা। দুয়োখনৰে বিষয়বস্তু আৰু ঘটনাবোৰ প্ৰায় একে। কেৱল অলপ অলপ অমিল আছে। কিন্তু এই মত তিষ্ঠিব নোৱাৰিলে। প্ৰতিবাদ আহিল। সমালোচনা হল। বোম্বাইৰ মেধাবী বিদ্বান কে, টি, টেলাঙে (K. T. Telang) এটা অতি সাকৱা আৰু গৱেষণামূলক প্ৰৱন্ধত প্ৰফেছৰ ৱেবাৰৰ সিদ্ধান্ত ভুল বুলি প্ৰমাণ কৰি দেখুৱালে। ইংৰাজী ১৯০৫ চনৰ ১৫ জুনৰ অমৃতবাজাৰ পত্ৰিকাৰ এজন সংবাদদাতাই লণ্ডনৰ

পৰা সেই কাগজতে এটা নতুন কথা প্ৰকাশ কৰিছিল। বিষয়টো হৈছে—"Helen of Troy was an Indian girl." অৰ্থাৎ ত্ৰয়ৰ হেলেন এজনা ভাৰতীয় কুমাৰী আছিল। সংবাদদাতাজনে লিখিছে—"A professor has placed in a London safe deposit manuscripts 3,000 and 4,000 years old, which, he says, prove that:

The story of Homer's Iliad, greatest of classical Greek poems, the epic of Helen of Troy, whose face "launched athousand ships." originated in an Indian epic poem written centuries before Homer was born.

"According to this argument, Helen came not from Troy but from Ceylon. The "Trojan war" was fought between Ceylon and Ajodhya of the ancient India.

"This sensational announcement is made by professor R. A. Dara, lately of Lahore University, India, collector of Eastern art treasures, who 14 years ago devoted his life to research among ancient manuscripts in order to compile a history of the world's civilisation."

প্ৰফেছৰ আৰ, এ, ডাৰাৰ (Professor R. A. Dara) গৱেষণাৰ মতে হোমাৰৰ ইলিয়দাৰ জন্ম হল বাল্মীকিৰ ৰামায়ণৰপৰা। হোমাৰ নজন্মাৰ শত শত বছৰৰ আগতেই ৰামায়ণখন লিখা হৈছে। প্ৰফেছৰ ডাৰাই কয় হোমাৰে ইলিয়াদখন ঠিক ৰামায়ণৰ সাঁচত লিখিছে। তেওঁৰ মতে হেলেন ট্ৰয়ৰপৰা অহা নাছিল, লঙ্কাৰপৰা আহিছিল। "ট্ৰোজান যুদ্ধখন" লঙ্কাৰ আৰু অযোধ্যাৰ ভিতৰত হৈছিল। সংবাদদাতা জনে আৰু লিখিছে—"Ramayana, the Indian epic which according to Professor Dara, is the origin of the Iliad story, tells of the conquest of Lanka (anciant name for Ceylon) by the hero Rama.

"Homer, it is contended, changed the name of Rama to Menelaos, Sita to Helen, and Ravana to Paris."

প্ৰফেছৰ ডাৰাৰ মতে ইলিয়াদৰ ইতিবৃত্তৰ উৎপত্তি হৈছে ৰামায়ণ। তেওঁ কয় হোমাৰে কেৱল নামবোৰ সাল-সলনি কৰিছে—যেনে ৰামৰ ঠাইত মেনিলছ, সীতাৰ ঠাইত হেলেন আৰু ৰাৱণৰ বদলি পেৰিছ। প্ৰফেছৰ ডাৰাই এই মত কেনেকৈ প্ৰমাণ কৰি উলিৱাইছে সংবাদ দাতাজনৰ কথাকেইটা তুলি দিলো।

"Professor Dara explained his theory to me yesterday. He said he was convinced that Greek, Egyptian and Mayan (Central American)civilisations were originally derived from India. "The Greeks" he said, "originally migrated from the Indian province of Magadah. The name became Machada and then Macedon. A clan of the Magadah were the Raj Greka. It is easy to see how the name Greka became Greek. The affinity between greek language and the Sanskrit is certain. Idioms show that they came from the same stock."

প্ৰফেছৰ ডাৰাৰ প্ৰমাণমতে গ্ৰীক্, ইজিপছিয়ান্ আৰু মায়ান সভ্যতা আদিতে ভাৰতবৰ্ষৰপৰা বাহিৰ হৈছে। গ্ৰীকবিলাক পোন প্ৰথমে ভাৰতবৰ্ষৰ মগধ দেশৰপৰা আহিছিল। মেছেদা বোলা ঠাইখনৰ নাম পিছত মেছিদন হল। মগধ দেশত "ৰাজ গ্ৰেক" নামেৰে এটা জাতি আছিল। ইয়াৰপৰা সহজে বুজিব পাৰি যে গ্ৰেক নামটো কেনেকৈ গ্ৰীক হল। গ্ৰীক আৰু সংস্কৃত ভাষাৰ সাদৃশ্য নিশ্চিত। বাক্ পদ্ধতিবোৰেই দেখুৱায় যে সিহঁত একেটা মূলৰপৰা আহিছে।

এই হল পণ্ডিতসকলৰ মতামত। তেওঁলোকৰ মতামতৰপৰা দেখা যায় যে বাল্মীকি মুনি পৃথিবীৰ আদি কবি। বাল্মীকি মুনিয়ে কবিত্ব শক্তি কেনেকৈ পালে তাৰ এটা পৌৰাণিক উপাখ্যান আছে। উপাখ্যানটো হৈছে এই :—

নাৰদ মুনি আহিল বাল্মীকিৰ ওচৰলৈ। "এই পৃথিবীত সৰ্ব্বগুণৰ আকৰ কোন ?" বুলি বাল্মীকিয়ে নাৰদক প্ৰশ্ন কৰাত নাৰদে তেওঁক সংক্ষেপতে ৰামচৰিতৰ বিষয় কৈ দেৱলোকলৈ গমন কৰিলে। নাৰদ যোৱাৰ পিছত বাল্মীকি মুনি তমসা নদীৰ পাৰলৈ গল। লগত গল তেওঁৰ শিষ্য ভৰদ্বাজ। মুনিবৰে পৱিত্ৰ আৰু নিৰ্ম্মল তমসাত স্নানাদি কৰিবলৈ মন কৰিলে। স্নানাদি ক্ৰিয়া কৰাৰ আগতেই মহাত্মা বাল্মীকি নদীৰ ওচৰৰ বিশাল অৰণ্যৰ মনোৰম দৃশ্য চাবৰ কাৰণে ইফালে সিফালে ফুৰিব ধৰিলে। এনেতে ভগৱান বাল্মীকিৰ চকু পৰিল মধুৰ ৰৱকাৰী এযোৰ ক্ৰৌঞ্চ চৰাইৰ ওপৰত। মুনিবৰ বাল্মীকিয়ে ক্ৰৌঞ্চ চৰাইযোৰ চাই থাকোঁতে থাকোঁতেই এটা নিষ্ঠুৰ ব্যাধে মতা ক্ৰৌঞ্চটোক বধ কৰিলে। মতা চৰাইটো তেজেৰে ৰাঙলী হৈ মাটিত ধৰফৰকৈ পৰা দেখি ক্ৰৌঞ্চীটোৱে কাতৰ স্বৰেৰে ৰোদন কৰিবলৈ ধৰিলে। চৰাইযোৰৰ মৰ্ম্মভেদী অৱস্থা দেখি মুনিৰ হৃদয়ত ভাব আহিল। ব্যাধটোৰ পাপকৰ্ম্ম বাল্মীকি মুনিয়ে সহ্য কৰিব নোৱাৰিলে। মুনিয়ে ব্যাধটোক এই দৰে শাপ দিলে—

"মা নিষাদ ! প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যত্ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতম্ "॥

অৰ্থাৎ—"হে ব্যাধ ! যিহেতু তই কামবিহ্বল ক্ৰৌঞ্চ চৰাই যোৰৰ মতাটোক বধ কৰিলি সেই কাৰণে অনন্ত কাল তই সম্যক্ স্থিতি লাভ কৰিব নোৱাৰিবি।" তেওঁৰ মুখৰপৰা এই বাক্য হঠাৎ ওলাল। ই শ্লোকেই হল নে কিয়েই হল এই লৈয়ে মুনিবৰৰ মহা চিন্তা হল। বহুত সময় ভাবিলে। শেষত মুনিবৰে ভৰদ্বাজক কলে—

"পাদবদ্ধোঽক্ষৰসমস্তন্ত্ৰীলয় সমন্বিতঃ।
শোকাৰ্ত্তস্য প্ৰবৃত্তো মে শ্লোকো ভবতু নান্যথা॥"

অৰ্থাৎ—"(চৰাইৰ) শোকত কাতৰ মই, মোৰ মুখৰপৰা যি ওলাল সি চাৰি চৰণত বদ্ধ, প্ৰতি চৰণ সমান অক্ষৰযুক্ত, বীণা আৰু লয়ৰ লগত উপযুক্ত শ্লোক হওক। অন্যথা যেন নহয়।"

তেওঁৰ শিষ্য ভৰদ্বাজেও আনন্দৰে মুনিবৰৰ মহৎবাক্য অনুমোদন কৰিলে। মুনি তেওঁৰ ওপৰত সন্তুষ্ট হল। তাৰ পিছত মুনিবৰে তমসাত স্নানাদি কৰিলে। আশ্ৰমলৈ ফিৰি আহিল। ভৰদ্বাজো লগত আহিল। শ্লোকটো লৈয়ে মুনিবৰৰ একমাত্ৰ চিন্তা হল। ইতিমধ্যে তেওঁ ধ্যানস্থ হল। এনেতে আহিল স্বয়ং ব্ৰহ্মা। অকস্মাৎ তেওঁক দেখা পাই বাল্মীকি মুনিয়ে পাদ্য-অৰ্ঘেৰে পূজা কৰিলে। ব্ৰহ্মাই আসন গ্ৰহণ কৰিলে। মুনিবৰকো বহিবলৈ তেওঁ কলে। বাল্মীকি মুনি বহিল। কিন্তু মুনিবৰ সেই চিন্তাতে মগ্ন হল। ক্ৰৌঞ্চ চৰাইযোৰৰ অৱস্থালৈ মনত পৰিল। আকৌ মুনিৰ মুখৰপৰা "মা নিষাদ !....."শ্লোকটো ওলাল। ব্ৰহ্মাই হাঁহিলে। মুনি শ্ৰেষ্ঠক সম্বোধন কৰি ব্ৰহ্মাই কলে—

"শ্লোক এবাস্তয়ং বদ্ধো নাত্ৰ কাৰ্য্যা বিচাৰণা।
মচ্ছন্দাদেব তে ব্ৰহ্মণ ! প্ৰবৃত্তেয়ং সৰস্বতী॥"

অৰ্থাৎ—"তুমি যি ছন্দত ৰচনা কৰিছা সি শ্লোকেই হওক, এই বিষয়ে কোনো সন্দেহ নাই। মোৰ ইচ্ছাতেই তোমাৰ মুখৰপৰা এই বাণী ওলাইছে।"

ব্ৰহ্মাই তেতিয়া বাল্মীকি মুনিক নাৰদৰপৰা যি ৰামচৰিত শুনিছে তাক কাব্যত বৰ্ণনা কৰি লিখিবলৈ কলে। মুনিবৰে ব্ৰহ্মাৰ আদেশ মানিলে। মুনিশ্ৰেষ্ঠ বাল্মীকিৰ হাতৰপৰাই হিন্দুৰ প্ৰসিদ্ধ কাব্যপুথি ৰামায়ণ ওলাল।



বিশ্ব-প্ৰৱাহ

মিঃ ৰামজে মেকডনেল্ডৰ অৱসৰ ভোগ

নতুন মন্ত্ৰীসভা গঠনৰ লগে লগে ইংলণ্ডৰ কূটনীতি বিশাৰদ প্ৰধান মন্ত্ৰী মিঃ ৰামজে মেকডনেল্ডে তেওঁৰ প্ৰধান মন্ত্ৰীৰ বাব মিঃ বলডুইনৰ হাতত শোধাই দি শ্ৰমসাধ্য ৰাজনীতিৰপৰা বিদায় লৈছে। বৰ্ত্তমান যদিও তেওঁৰ ওপৰত 'কাউন্সিল'ৰ প্ৰেছিডেণ্টৰ ভাৰ অৰ্পিত হৈছে তথাপি এই কাম অলপো কষ্টকৰ নোহোৱাত তেওঁৰ আগৰ নিচিনা খাটনি নোহোৱা হৈছে। কেতিয়াবা গুৰুতৰ সমস্যা উপস্থিত হল মিঃ মেকডনেল্ডৰ বুদ্ধি-ভৰষাৰ বিশেষ আৱশ্যক হয়। তেতিয়া তেওঁ নিজে মন্ত্ৰীসভাত উপস্থিত হৈ আলোচনাত যোগদান কৰে! তাৰ



নিজ পৰিয়াল বৰ্গৰ মাজত অৱসৰ প্ৰাপ্ত প্ৰধান মন্ত্ৰী মিঃ ৰামজে মেকডনেল্ড। বাওঁ ফালে হাঁহি তেওঁৰ পুতেক মিঃ মেলকম মেকডনেল্ড—বৰ্ত্তমান উপনিবেশ মন্ত্ৰী।

বাহিৰে তেওঁ বাকীখিনি সময় লছি মাউথত থকা নিজৰ ঘৰত পৰিয়ালৰ মাজত [illegible]ক আনন্দেৰে কটায়।

বনমানুহ বা চিম্পেঞ্জী

শিক্ষাৰ ফলত বান্দৰবিলাকে আজিকালি মানুহৰ দৰেই প্ৰায় সকলো কথাতে ব্যৱহাৰ কৰিব পাৰে। খোৱা-



লণ্ডন পশুশালাৰ দুটি বান্দৰে পিঠ-পনাৰে সৈতে নৱ বৰষৰ উৎসৱ পালন কৰিছে।

বোৱা আৰু লাহ-বিলাহত এই বান্দৰবিলাকে যেনেকৈ মানুহৰ অনুকৰণ কৰে তাক দেখিলে নইহাকৈ থাকিব নোৱাৰি। ইয়াত দেখা ছবিটো লণ্ডন পশুশালাৰ দুটা বনমানুহ বা চিম্পেঞ্জীৰ ছবি। এই বান্দৰ দুটাৰ মাজত খোৱাৰ সামগ্ৰী, কাপ-প্লেট আৰু ফটিকাৰ বটল আদি যতনাই থোৱা হৈছে। ইহঁতে নতুন বছৰৰ আৰম্ভ উৎসৱ পাতি ভোজনৰ বাবে সাজু হৈছে। থিয় হৈ থকা বান্দৰটোৰ নাম বেলা আৰু বহি থকাটোৰ নাম ৱেণ্ডি। ৱেণ্ডি অলপ খকুৱা স্বভাৱৰ। সেইদেখি সি লৰালৰিকৈ পিঠা মুখত ভৰাবলৈ কাঁহিত হাত দিছে।

আকাশীযানৰ গতি

যোৱা ১৭ জুন তাৰিখে কেপ্টেইন ই, ডব্লিউ পাৰ্ছিভেলে

ইংলণ্ডৰপৰা আফ্ৰিকালৈ আকাশীযানেৰে উৰি গৈ সেই দিনাই পুনৰ বিলাতকৈ ঘূৰি আহে। তেওঁ সেই দিনা ৰাতি ডেৰটা বজাত ইংলণ্ডৰ গ্ৰে'ভছে'ণ্ডৰপৰা গৈ সাত



ইংলণ্ডৰ পৰা আফ্ৰিকালৈ এদিনত ঘূৰি আহি মিঃ পাৰ্ছিভেল ক্ৰইডনত অৱতীৰ্ণ হৈছে।

ঘণ্টা দহ মিনিটৰ পাছত উত্তৰ আফ্ৰিকাৰ অৰেণ বোলা ঠাইত অৱতীৰ্ণ হয়। তাৰ পিছত তেওঁ সেই দিনাই ঘূৰি আহি গধূলি ৬-২৫-মিনিটত ক্ৰইডনত নামে। এই সময়খিনিৰ ভিতৰত তেওঁ মোট ২৮০০ মাইল ভ্ৰমণ কৰিছিল। সেই আকাশীযানখনত কেৱল এজন মানুহ উঠি যাব পাৰে আৰু ই ১৩০ টা ঘোৰাৰ শক্তিসম্পন্ন। এই আকাশীযানখন ঘণ্টাত ২১৫ মাইল পৰ্য্যন্ত উৰিব পাৰে।

ফৰাছী সমুদ্ৰজাহাজ নৰ্ম্মেণ্ডী



আকাশৰ ওপৰৰ পৰা পৃথিবীৰ বৃহত্তম আৰু ক্ষিপ্ৰতম সমুদ্ৰ জাহাজ "নৰ্ম্মেণ্ডীৰ" এটি দৃশ্য।

কেইমাহমানৰ আগতে ফ্ৰান্সৰ নৰ্ম্মেণ্ডী নামৰ সমুদ্ৰ জাহাজ এখনে ক্ষিপ্ৰ গতিত পৃথিবীৰ ৰেকৰ্ড ভঙ্গ কৰিছে। এই জাহাজখন যোৱা ৩০ মে তাৰিখে পোন প্ৰথমে আটলাণ্টিক মহাসাগৰত মেলি দিয়া হয়। চাৰিদিন এঘাৰ ঘণ্টা আৰু তেত্ৰিশ মিনিটৰ ভিতৰত নৰ্ম্মেণ্ডীয়ে ছাউথেম্প্টনৰপৰা এম্ব্ৰ'ছ লাইটলৈকে গড়হিছাপে ২৯'৬৪ 'নট' ভ্ৰমণ কৰে। ইয়াৰ আগতে ৰেক্স নামৰ ইটালিয়ান জাহাজে ৰেকৰ্ড ভঙ্গ কৰিছিল। নৰ্ম্মেণ্ডী যেতিয়া আমেৰিকাৰপৰা ঘৰমুৱা হৈ প্লিমাউথলৈ ঘূৰি আহে



আমেৰিকাৰ পৰা ঘূৰি আহি নৰ্ম্মেণ্ডীয়ে প্লিমাউথত অৱতীৰ্ণ হৈছে।

তেতিয়া এই জাহাজখনে গড়ে ৩০'৩১ 'নট' গতিত আহিছিল।

উৰণীয়া নাও

পোন প্ৰথমে উৰণীয়া নাও উদ্ভাৱন কৰে আমেৰিকা যুক্ত প্ৰদেশৰ মিঃ গ্লেন কুৰ্টিছে (১৯১১—১২ চন)।

যোৱা মহাসমৰত বুৰণীয়া জাহাজ আৰু সমুদ্ৰ জাহাজ বিলাকক শত্ৰুপক্ষৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবৰ কাৰণে পহৰা দিবলৈ এই উৰণীয়া নাওবিলাক বৰ বেছিকৈ ব্যৱহাৰ কৰা হৈছিল। এই নাওবিলাকৰ পহাৰা দিয়াৰ ঠাই আছিল উত্তৰ সাগৰ আৰু বৃটিছ দ্বীপপুঞ্জৰ চৌপাশ। যুদ্ধ সন্ধি হোৱাৰ পিছত দেখা গৈছিল যে ইংৰাজ সকল এই নাও নিৰ্ম্মাণ কৰাত নিপুণ আৰু সিদ্ধহস্ত হব পাৰিছিল।

আজি-কালি এই উৰণীয়া নাওবিলাক সামৰিক আৰু ঘৰুৱা কামত ব্যৱহাৰ কৰা হয়। ইংলণ্ডত বৃটিছ ৰয়েল এয়াৰ ফৰ্চ বিভাগৰপৰা ফেলিক্সট, কেলশ্বট আৰু পেম-ব্ৰকত এই নাওবিলাকৰ আড্ডা পতা হৈছে আৰু ইংলণ্ডৰ বাহিৰে ছিঙাপুৰ, বাস্ৰা আৰু মাণ্টাত এই উৰণীয়া নাও বিলাক ৰখা হয়।



ছিঙাপুৰৰ এখন উৰণীয়া নাও। ইংলণ্ডৰ যুৱৰাজে চেনেল আইলছ পৰিদৰ্শন কৰিবলৈ যাওঁতে এই নাৱেদিয়েই গৈছিল।

এতিয়াৰ সামৰিক উৰণীয়া নাওবিলাক আগৰ দৰে কাঠৰ তৈয়াৰী আৰু দেখিবলৈ আপচু নহয়। আজি কালি এইবিলাক সমস্ত ধাতুৰে নিৰ্ম্মিত। আৰু ইয়াৰ ভিতৰত খালাছীবিলাক যাবলৈ সুন্দৰ ব্যৱস্থা আছে। এই নাও বিলাকত বোমা, বৰতোপ আৰু 'টৰ্পেড' আদি স্বচ্ছন্দে লৈ যাব পাৰে।

যদিও ইহঁতক আকাশত বৰ ধীৰ গতিৰে যোৱা যেন দেখি তথাপি কিছুমানে বৰ ক্ষিপ্ৰ গতিৰেও উৰি যাব



প্ৰাচ্যলৈ গতি কৰিবলৈ ধৰা এখন উৰণীয়া জাহাজ। প্লি মাউথৰ পৰা ছিঙাপুৰলৈ এই জাহাজ এৰাৰ আগতে মিস্ত্ৰী বিলাকে জাহাজখন ঠিক কৰি লৈছে।

পাৰে। চাৰাফেণ্ড নামে বৃটিছ ৰয়েল এয়াৰ ফ'ছৰ এখন উৰণীয়া নাৱে ঘণ্টাত ১৫০ মাইল বেগে উৰিব পাৰে। এইখনেই আটাইতকৈ বৃহৎ উৰণীয়া নাও।



ছদ্মবেশী

দ্বিতীয় খণ্ড

তৃতীয় আধ্যা

উপন্যাস]

শ্ৰীযুত শান্তিৰাম দাস, বি-টি

চিৰ পতিতা

কেপ্তেন লেভিছনৰ কাৰ্লাইলৰ ওচৰলৈ অহা সকাম হৈ গল। বুঢ়া বাপেকে নানা ওজৰ-আপত্তি উলিয়াই তাক সম্পত্তিৰ ভাগ একো নিদিলে। তাৰ এতিয়া ইষ্টলিনিত দেখা দেখিকৈ কোনো কাম নাছিল যদিও ইছাবেলৰ প্ৰতি মোহ এৰিব নোৱাৰিলে। নানা চেলু উলিয়াই কাৰ্লাইলৰ ঘৰতে আৰু কিছু দিন অতিথি হৈ থাকিল। কেতেকী ফুলত ভীমৰাজ সাপে বাহ ললে।

ইছাবেলৰ নৰিয়া টান হল—লেভিছন ব্যাধি আৰু বাৰবাৰা ব্যাধি বৰ সাংঘাতিক হৈ উঠিল। লেভিছনক সদায় একে ঘৰতে দেখি-শুনি তাৰ প্ৰতি তেওঁৰ অবৈধ আসক্তিৰ ঢল উঠিল। ইপিনে কাৰ্লাইল আৰু বাৰবাৰাৰ গোপনীয় দেখা-সাক্ষাৎ আৰু কথা-বাৰ্ত্তা ঘনাই ঘনাই হব লগাত পৰিল। কাজেই সতিনীদাহ প্ৰবল মূৰ্ত্তি ধৰি জলি উঠিল। লেভিছনে সেই অগণিত খৰি-খেৰৰ যোগান ধৰি থাকিল।

বাৰবাৰাই ৰিচাৰ্ডৰপৰা এখন চিঠি পালে যে তেওঁ অলপতে তেওঁলোকক দেখা দিবহি। মাক জীয়েক দুয়ো পৰামৰ্শ কৰি, বাৰবাৰা কাৰ্লাইলৰ ওচৰলৈ ঢাপলি মেলিলে। দুৱাৰ মুখত চাকৰ এজনক লগ পাই সুধিলে, "কাৰ্লাইল ঘৰত আছেনে?"

"এতিয়াও ঘৰ পোৱাহি নাই। আইদেউসকলে বাট চাই আছে খাবৰ হৈছে দেখি। ভিতৰলৈ যোৱাগৈ।" বাৰবাৰা ওলাই গল।

ইছাবেলে খিৰিকি মুখত থিয় দি গিৰিয়েকলৈ বাট চাই আছিল। বাৰবাৰাক অহাও দেখিলে, যোৱাও দেখিলে। চাকৰজন ভিতৰলৈ অহাত সুধিলে, "সেইজনী বাৰবাৰা নহয়নে?"

"হয় আইদেউ। তেওঁ দেউতাক বিচাৰি আহিছিল। মই আপুনি ঘৰত থকা বুলি কলোঁ। তেওঁ দেখোঁ ভিতৰলৈ নাহিল, ওলাই গল।"

ইছাবেলে মুখেৰে একো নামাতি লেভিছনৰ ফালে চালে—তেওঁ আছিল কাষতে বহি। তেৱোঁ চকুৰ ইঙ্গিতেৰে উত্তৰ দিলে "নিজে চাই লোৱা।"

ইছাবেলে মনৰ খঙতে হাত দুখন মোহাৰি মোহাৰি আকৌ খিৰিকি মুখত খাপ ললেগৈ। দেখিলে—বাৰবাৰাই আলিৰ কাষত ইফাল সিফাল কৰি ফুৰি ফুৰিছে। এনেতে কাৰ্লাইল সেইখিনি পালেহি; দুয়ো হাত জোকৰা-জোকৰি কৰিলে। ইছাবেলৰ সকলো চকুত পৰিল। বাৰবাৰাই উশাহ নোলোৱাকৈ কৈ গল, "আহা! তোমাক লগ পাই ধন্য হলোঁ। মই তোমাৰ অফিছলৈ গৈছিলোঁ; তাত নেদেখি এতিয়া ঘৰলৈও গৈছিলোঁ। এটা বৰ ডাঙৰ খবৰ আছে!"

কাৰ্লাইলেও আগ্ৰহেৰে সুধিলে, "কি খবৰ বাৰবাৰা, থৰ্ণৰ বিষয়ে?" "নহয় ৰিচাৰ্ডৰ বিষয়ে। এইখন চিঠি চোৱা।" বুলি বাৰবাৰাই চিঠিখন কাৰ্লাইলৰ হাতত দিলে। তেওঁ চিঠি পঢ়াত লাগিল, তাই তেওঁৰ ফালেৰে লাগি চাই থাকিল। দূৰৈত খিৰিকি-মুখৰ পৰাযে তেওঁলোকৰ ওপৰত ইছাবেল আৰু লেভিছনে চকুপাতি আছিল তেওঁলোকে তাৰ গমকে নাপালে। শেহত তেওঁলোক কৰ্ণেলিয়াৰ চকুতো পৰিল।"

চিঠি পঢ়ি কাৰ্লাইলে বাৰবাৰাক দিলে। তাই কলে "আৰ্কিবল, ভগৱানে যিকৰে ভালেই কৰে। আমি যে থৰ্ণৰ বিষয় সন্দেহ কৰিছোঁ, সেই সন্দেহ এতিয়া দূৰ হব।

ৰিচাৰ্ড আৰু থৰ্ণৰ যাতে দেখাদেখি হব পাৰে, তাৰে তুমি এটা ফন্দি উলিৱা। ৰিচাৰ্ড আহি ভালে ভালে উভতি নাযায়মানে মোৰ মনত অলপো সুখ-শান্তি নাই আৰ্কিবল! আহা! বেচেৰা ৰিচাৰ্ড! তুমি কোন দিনা নিৰ্দ্দোষ প্ৰমাণিত হবা!"

"ৰিচাৰ্ড দোষী নহলেও দোষীৰ দৰে কাম কৰিছে। দোষীজনো এনেকৈ নচলে বাৰবাৰা।"

"তেনেহলে তুমি তাক দোষী বুলি বিশ্বাস কৰা?"

"নকৰোঁ বাৰবাৰা। থৰ্ণ যে নিশ্চয় দোষী—এই বিষয়ে মোৰ নিচেই কম সন্দেহ আছে। আহা! কথাটো যদি প্ৰমাণিত কৰিব পৰা যায়! এতিয়া ৰিচাৰ্ড আৰু থৰ্ণক কেনেকৈ লগ লগোৱা যায় তেনেহলে?"

"মই নভবা নিশ্চিন্তাকৈ একো কব নোৱাৰোঁ। ৰিচাৰ্ড আহি পালেই মোক জনাবাহি। এতিয়া যোৱাগৈ।"

দুয়ো দুফালে গুচি গল।

কাৰ্লাইলে বুলনি ঘৰত সোমাই কাপোৰ-কানি সলাওঁতে কি কাৰণে ইমান পলম হল ইছাবেলক ভাঙি-পাতি কলে। কথা শুনি ইছাবেলে ওঁঠ কামুৰি মনেমনে থাকিল।

খাবলৈ বহোঁতে কৰ্ণেলিয়াই গহীনভাৱে সুধিলে, "আৰ্কিবল, বাৰবাৰাই তোমাক কিয় বিচাৰিছিল?"

"কিবা অলপ কাম আছিল।"

"সেইখন চিঠিৰ নিচিনা—দুয়ো কি পঢ়িছিলা?"

কাৰ্লাইলে হাঁহি মাৰি কথা ওফৰাবৰ মনেৰে কলে, "সেইবোৰ গাভৰুদলৰ প্ৰণয় সম্বন্ধীয় কথা আনৰ আগত কব নাপায়।"

"ধেমালি এৰা আৰ্কিবল, সঁচা কোৱা।"

কাৰ্লাইলে বায়েকৰ চকুৰ ফালে এনে ভয় লগাকৈ চালে যে কৰ্ণেলিয়াৰ সকলো কথা মনত পৰিল, সকলো বুজিলে। চিঞৰ মাৰি কলে, "আৰ্কিবল! আৰ্কিবল! সেই অতীত কাহিনী কোনো কালে প্ৰমাণিত নহব!"

কৰ্ণেলিয়াই অতীত কাহিনীৰ অৰ্থ কৰিছিল—হেলিজনৰ হত্যাকাণ্ডজনিত বেচেৰা ৰিচাৰ্ডৰ অপৰাধ আৰু বনবাসৰ। সেয়ে যথাৰ্থ কথা। কিন্তু ইছবেলে অৰ্থ কৰিলে অতীত কাহিনী মানে বাৰবাৰাৰ লগত কাৰ্লাইলৰ গুপুত প্ৰণয় কাহিনী।

সেইদিনা গধূলিয়েই ইছাবেলে গিৰিয়েকক অকলে পাই আৰম্ভ কৰিলে, "সেই বাৰবাৰাজনীক কি লাগে যে সদায় দিনে ৰাতি তোমাক বিচাৰি আহে?"

"ই গোপনীয় কথা, ইছাবেল। তাই মাকৰপৰা খবৰ লৈ আহে।"

"সেইটো মই জানিলে কি অপৰাধ?"

কাৰ্লাইল চিন্তা কৰিবলৈ লাগিল, থৰ্ণৰ ওপৰত এনেকুৱা কথাতো আন নালাগে নিজৰ তিৰোতাকো ভাঙি কব নোৱাৰি। কলে বৰ অন্যায় কৰা হব, তেওঁৰ সকলো চেষ্টা বিফলে যাব। আকৌ ৰিচাৰ্ড যে তালৈকে আহিব তাকো কব নোৱাৰি—সেই কথা কাৰো আগত বিদিত কৰিব নোৱাৰি। অৱশ্যে কৰ্ণেলিয়াই আছল কথা উলিয়াই নিলেও কোনো ভয় নাই—কৰ্ণি সেইবোৰত খুব ঠিক—পোনপতীয়া স্বভাৱৰ। কাৰ্লাইল বিমোৰত পৰিল; কলেও বিপদ, নকলেও বিপদ। ভালেখিনি সময় ভাবি-চিন্তি তেওঁ কলে, "ইয়াক শুনি সন্তোষ নাপাবা ইছাবেল। তুমি জানিছা যে হেয়াৰ পৰিয়ালৰ এটা বৰ ডাঙৰ দুখ লগা দুৰ্ঘটনা আছে। এইবোৰ সেই বিষয়ৰ কথা।"

ইছাবেলে কাৰ্লাইলৰ কথা একবিন্দু পৰিমাণো বিশ্বাস নকৰিলে। তেওঁৰ বিশ্বাস হ'ল যে ঘৈণীয়েকৰ অন্তৰত আঘাত লাগিব বুলি গিৰিয়েকে বাৰবাৰাৰ লগত হোৱা প্ৰণয়ৰ কথা-বতৰা ভাঙি নকয়। এই অন্ধ বিশ্বাসেই ইছাবেলৰ সৰ্ব্বনাশৰ মূল কাৰণ হ'ল। কাৰ্লাইলে এনেবোৰ কথা সপোনতো ভবা নাছিল। পোনপটীয়া মানুহৰ পোনপটীয়া কথা। ঘৈণীয়েকৰ অন্তৰত যে এনেকুৱা কিবা এটা ফিৰিঙটি সোমাইছিল, তেওঁ লেশমাত্ৰও নাজানিলে।

পিছদিনাখন ৰাতিপুৱা ইছাবেলে কিবাকিবি ভাবি উদাস মনে বহি আছিল। তেওঁৰ গা বেয়া, মন আৰু বেয়া। লেভিছন কাৰ্লাইলৰ লগত বৰ সুন্দৰ বন্ধুভাৱে কথা-বতৰা পাতি ওলাই গল। কিছুদূৰ গৈ কাৰ্লাইলক বিদায় দি

লেভিছনে ফালৰি কাটি অন্য বাটেদি গৈ ইছাবেলৰ ওচৰ পালেহি। বাৰবাৰাই কাৰ্লাইলক লগ পাবলৈ বাট চাই আছিল—তেওঁলোকৰ মাজত বৰ ডাঙৰ কাম। এই খবৰ লেভিছনে ইছাবেলক জনালেহি। এনেতে এখন নিমন্ত্ৰণ পত্ৰ আহিল। কাৰ্লাইল, ইছাবেল আৰু কৰ্ণেলিয়াক এজন বন্ধুৱে সন্ধিয়া নিমন্ত্ৰণ কৰিছে খাবলৈ। ইছাবেলে চিঠিখন পঢ়ি কৰ্ণেলিয়াৰ ফালে আগবঢ়াই দিলে। কৰ্ণেলিয়াই চিঠিখন পঢ়ি সুধিলে, "তুমি যাবানে?"

"এৰা, মিঃ কাৰ্লাইলৰ সৈতে যাম।"

"কেপ্তেন লেভিছনক অকলে এৰি থৈ যাবা? তাৰ কি বন্দবস্ত কৰিবা?"

"সি ইয়াত থাকিব আৰু নিজে যাব। তুমি যাবা বুলি লিখিমনে?"

"নালাগে, মই নাযাওঁ।"

"তেনেহলে লেভিছনে তোমাৰ লগতে খোৱা-লোৱা কৰিব।"

"নহয়, মই তাৰ লগত নাথাকো, মই তাক ভাল নাপাওঁ।"

তাৰ পিছতে দুয়োৰে মাজত কিবা সাজ-পাৰ লৈ কাজিয়া লাগিল। শেহত দুয়োৰে হতা-হতি হবৰ উপক্ৰম হোৱাত উইলছন আৰু জেছিহঁতে কোনো ৰকমে বঢ়াই বুজাই থমাই ৰাখিলে। সেই দিনাহে লেভিছনৰ ওপৰত জেছিৰ চকু পৰিল—

"বৰ সুন্দৰ দেখনিয়াৰ আটক ধুনীয়া ডেকাটি বাস্তৱিকে।"

সুখে-দুখে কেইদিনমান গ'ল। সিদিনা সোমবাৰ গধূলি। বৰ সুন্দৰ ফৰিংফুটা জোনাক নিশা। ৰিচাৰ্ড-হেয়াৰ ছদ্মবেশে নিকুঞ্জবনলৈ আহি বাৰবাৰালৈ ইঙ্গিত দিলে। বাৰবাৰা খিৰিকিৰপৰা চাই আছিল, ইঙ্গিত বুজিলে, গা কঁপি উঠিল। জাষ্টিছ হেয়াৰ গম্ভীৰভাৱে বাৰান্দাত বতাহ খাই বহি আছিল; কোনোবা ফালে যে ওলাই যাব তাৰো আশা নাছিল। তাই ৰিচাৰ্ডক লগ ধৰেগৈ কেনেকৈ? কিন্তু নধৰিলেও যে নহয়, জীৱন উছৰ্গা কৰিও ৰিচাৰ্ডক লগ ধৰিবই।

কল-কৌশলেৰে বাৰবাৰা ওলাই গল—ৰিচাৰ্ডক লগ ধৰিলেগৈ। "আহা ৰিচাৰ্ড! মই তোমাৰ লগত কথা কৈ থাকিব নোৱাৰোঁ। পিতা ঘৰত আছে, সৰ্ব্বনাশ!"

"আইৰ লগত দেখা কৰিব পাৰিমনে?"

"নোৱাৰা ৰিচাৰ্ড, নোৱাৰা। তুমি কাইলৈ বাট চাব লাগিব।"

"অসম্ভৱ। ইয়াত থকা নিৰাপদ নহয়।"

"নহলেও তুমি থাকিব লাগিব। সকলো বিপদৰ মূল থৰ্ণ ইয়ালৈ.....।"

ৰিচাৰ্ডে জাপ মাৰি উঠি কলে, "থৰ্ণ?"

"এৰা, এজন থৰ্ণ ৱেষ্টলিনিত আছেহি। কাৰ্লাইল আৰু মই এইজন থৰ্ণকে তুমি কোৱা থৰ্ণজন বুলি সন্দেহ কৰিছোঁ। তুমি তাক চিনাই দিব লাগিব।"

ৰিচাৰ্ডে উত্তেজিত হৈ কলে, "দেখাই দিয়া, দেখাই দিয়া বাৰবাৰা, মোক তাক দেখাই দিয়া।"

"তুমি তাক দেখিলে চিনিব পাৰিবানে?"

"বাঃ, তাক মই চিনিব নোৱাৰিম! পিতাক বা তোমাক মই চিনি নাপামনে? তাৰ ছবি মোৰ অন্তৰত তোমালোকৰ ছবিতকৈও বেছি দকৈ অঙ্কিত হৈ আছে। কেতিয়া আৰু কেনেকৈ তাক দেখা পাম বাৰবাৰা?"

"সেইটো কাৰ্লাইলৰ লগত পৰামৰ্শ হৈ তোমাক কমহি। তুমি কালিলৈও এই সময়ত ইয়ালৈ আহিবা।" এনেতে খিৰিকিৰপৰা জাষ্টিছ হেয়াৰৰ মাত শুনা গ'ল। দুয়ো দুইফালে আঁতৰা-আঁতৰি হ'ল।

পিছদিনা ৰাতিপুৱাই মিছ বাৰবাৰা কাৰ্লাইলৰ অফিছত উপস্থিত। মহৰী ডিলৰপৰা জানিব পাৰিলে যে কাৰ্লাইল বাহিৰলৈ গৈছে, কেতিয়া ফিৰিব তাৰ স্থিৰতা নাই। কাৰ্লাইলৰ অফিছৰ দুৱাৰ মুখত বাৰবাৰাৰ উপস্থিতি লেভিছনৰ চকুত নপৰাকৈ নাথাকিল—কাজেই ইছাবেলৰ কাণতো পৰিল।

চাৰিমান বজাত বাৰবাৰাই, কাৰ্লাইলক লগ ধৰি ৰিচাৰ্ড অহা বাতৰি জনালে।

কার্লাইলে সকলো কাম পেলাই থৈ ৰিচার্ডৰ আগলৈ থৰ্ণক কেনেকৈ অনা যায় তাৰ এটা ফন্দি পাতিলে। সেই গধূলিয়েই তেওঁলোক বন্ধুৰ ঘৰলৈ নিমন্ত্ৰণ খাবলৈ যাবৰ দিন। তেওঁ তাকো এৰি দিলে। তেওঁ ততালিকে থৰ্ণলৈ চিঠি লিখিলে সন্ধিয়া ৮বজাত অফিছত তেওঁক যেনেতেনে দেখা কৰিব লাগে। ইপিনে তাৰ আগেয়ে ৰিচার্ডক অফিছলৈ লৈ বাৰবাৰাক সাহস দি বিদায় দিলে।

কামত বৰ ব্যস্ত। পাঁচমান বজাত কোনোমতে কার্লাইল ঘৰলৈ গ'ল। বন্ধুৰ ঘৰত নিমন্ত্ৰণ খাবলৈ যাবৰ নিমিত্তে সাজি কাচি সাজু হৈ ইছাবেলে কার্লাইললৈ বাট চাই আছিল। গাৰীত পদূলিমুখত সাজু হৈ থিয় দি আছিলহি। কার্লাইল ঘৰ সোমোৱা মাত্ৰকে ইছাবেলে সুধিলে, "ছয় বজাত যে নিমন্ত্ৰণ খাবলৈ যাব লাগে পাহৰিলেনে ?"

"নাই পাহৰা ইছাবেল। কিন্তু কামৰ ভিৰ ইমানেই বেছি হৈছে যে মই কোনোমতে তালৈ যাব নোৱাৰোঁ। তুমি মোৰ কথা তেওঁলোকক কবা যাতে বেজাৰ নাপায়। মই এতিয়াও ঘৰলৈ নাহিলোঁহেতেন, এই কথাষাৰ তোমাক জনাবলৈহে আহিছোঁ।"

কোনো মাত-বোল নাই। নানা কুচিন্তা ইছাবেলৰ অন্তৰেদি বৈ গ'ল। তেওঁ সুধিলে, "কি কাৰণে নাযায় ?"

"কিছুমান এনে কাম হাতত পৰিছেহি যে সেইবোৰ আজি গধূলি যেনেকৈ হওক কৰিবই লাগিব। মই খাই বৈ উঠিয়েই অফিছলৈ যাওঁগৈ। তুমি যোৱাগৈ।"

ইছাবেলৰ অনুপস্থিতিত বাৰবাৰাৰ লগত ঘণ্টাচেৰেক হাঁহি খিকিন্দালি, ৰংধেমালি কৰাই কার্লাইলৰ উদ্দেশ্য নেকি ? এইভাৱে ইছাবেলৰ অন্তৰত দকৈ শিপা মেলিলে। তেওঁ সেইভাৱেই বহি থাকিল—মুখৰ চেহেৰা উত্তেজনা পূৰ্ণ হৈ উঠিল। কার্লাইলে দেখা পাই কলে, "তুমি খং কৰা অনুচিত, ইছাবেল। মই নিশ্চয়কৈ কওঁ মোৰ দোষ নহয়। বৰ গোপনীয় জৰুৰী কথা—ডিলকো বিশ্বাস কৰিব নোৱাৰোঁ। এনেকুৱা কাম যে হাতত পৰিবহি ভবা নাছিলোঁ। মই তাৰ বাবে বাস্তৱিকে বৰ দুঃখিত।"

আকৌ নীৰৱ। ইছাবেলে হঠাৎ সুধিলে, "পিছত আমাক লগ ধৰিবগৈনে ?"

"মোৰ বিশ্বাস—নোৱাৰিম।"

ইছাবেল ওলাই গ'ল। কার্লাইলে পাছে পাছে গৈ তেওঁক গাৰীত তুলি দিলেগৈ। যেতিয়া বিদায় দিলে, ইছাবেলে মুখেৰে নামাতিলে; জ্যোতিহীন চকু দুটাৰে সন্মুখৰ ফালে চাই থাকিল। গাৰী গ'ল।

ঠিক আঠ বজাৰ অলপ আগেয়ে ৰিচার্ড তাৰ সেই ছদ্মবেশেৰে কার্লাইলৰ অফিছৰ দুৱাৰ মুখত উপস্থিত হৈ দুৱাৰত টকৰিয়ালে। ভিতৰৰপৰা তৎক্ষণাৎ দুৱাৰ মেল খালে। কার্লাইল অকলে তাত বহি আছিল। ৰিচার্ডক দেখিয়ে হাতখনত থাপ মাৰি ধৰি কলে, "ভিতৰলৈ আহাঁ ৰিচার্ড। তুমি আহোতে বাটত চিনা জনা বহুতক লগ পালানেকি ?"

"মই কাৰো ফালে চোৱাই নাছিলোঁ; কাৰণ মানুহৰ ফালে চালে সিহঁতেও মোৰ ফালে চাব নহয়নে ? সেই দেখি চকুযোৰ আগত ৰাখি আহি আছোঁ।"

"পিছে তোমাৰ অৱস্থা কেনে ?"

"বৰ শোচনীয়; কষ্টেৰে ভেশচন কৰি আছোঁ। বৰ্ত্তমান যেনেকৈ চাকৰ নাকৰৰ দৰে জীৱন কটাইছোঁ—! তাত বাহিৰে কি হব পাৰে ?"

বাৰু, তোমাৰ সেই কুৰূচ টুপিটো মূৰৰপৰা গুচোৱা ৰিচার্ড; ইয়াত কোনো প্ৰাণীৰ সমাগম নাই।"

ৰিচার্ডে লাহে লাহে টুপিটো খহালে। সুন্দৰ মুখ! ডেকা লৰাৰ যৌৱনভৰা মুখৰ চেহেৰা। তেওঁ উচপ খাই দুৱাৰৰ ফালে হুহকি গৈ কৈ উঠিল, "যদি কোনোবাই দেখে ডাঙৰীয়া ?"

"সেই বিষয়ে কোনো ভয় নাই, মই তোমাক অভয় দিছোঁ। তুমি দিয়া বিৱৰণৰপৰা যি জন থৰ্ণে হেলিজনক হত্যা কৰিছিল সেইজনেই আমি ইয়াত দেখাজন হয় যেন লাগে। তাক তুমি আৰু একিৰ বাহিৰে আন কোনেও চিনি নাপায়। মই তোমাক ডিলৰ কোঠালিৰ খিৰিকি

মুখত থম। থৰ্ণক অফিছত মোৰ লগত ৰাখিম। তুমি তাৰপৰা এই থৰ্ণ, তোমাৰ সেই থৰ্ণ হয়নে নহয় মিলাই দেখিবা। তুমি বোধহয় তাক দেখিলেই চিনি পাবা ?"

"নিশ্চয় পাম। পঞ্চাশ বছৰ অতীত হলেও পাম। কি তাৰ নিচিনা শত্ৰু এটাক জীৱনত পাহৰিম ?"

"বাৰু, কি কাৰণে ইয়ালৈ আহিছা ? টকা ?"

ৰিচার্ডে লাজতে কওঁ নকওঁকৈ কলে, "হয় ডাঙৰীয়া।"

"কিমান ?"

"এশমান হলেই ভাল হয়।"

"বাৰু, মই আজিয়েই দিম।" এনেতে বাহিৰত ঘণ্টা পৰিল। "আহাঁ, তুমি মোৰ লগতে" বুলি কৈ কার্লাইলে ৰিচার্ডক ডিলৰ কোঠালিলৈ নি খিৰিকিখন মেলি দি তাত টলা-ছাবি লগালে।

তাৰপৰা আহি বাহিৰৰ দুৱাৰ মেলি দিলে। কেপ্তেন থৰ্ণ ভিতৰ সোমালহি। কার্লাইল থিয় হৈ আছিল—সিও থিয় হৈ থাকিল—কথা আৰম্ভ হল। কিছু সময় থিয় হৈ থকাৰ পিছত তাক বহিবলৈ কলে—ৰিচার্ডৰ ঠিক চকুৰ আগতে। থৰ্ণে কলে, "ক্ষমা কৰিব, মোৰ আহোতে অলপ পলম হ'ল। আপুনি সদায় এই সময়ত থাকিবলৈ আহেনে ?"

"নাহোঁ, অৱশ্যে কাম থাকিলে আহিবই লাগিব। আজি তোমাৰ লণ্ডনৰ পাওনাদাৰৰপৰা ন'টিছ পাইছোঁ যে তেওঁলোকে আৰু বাট নাচায়।"

"কিন্তু, সুবিচাৰৰ কাম নহল, মিঃ কার্লাইল !"

"আইন আৰু সুবিচাৰ কেতিয়াবা কেতিয়াবা একেমুখে নাযায়।"

থৰ্ণ বিবুদ্ধিত পৰিল। "তেন্তে সিহঁতে মোক ইয়াতেই গ্ৰেপ্তাৰ কৰিব ?"

"নিশ্চয় কৰিলেহেঁতেন কিন্তু মই বাধা দি চিঠি লিখিছোঁ তাৰ উত্তৰ কালি পাবা।"

"তেনেহলে এতিয়া উপায় ?"

"সিহঁতক ধৰাগৈ। কিন্তু মই হলে তোমাৰ মোকৰ্দ্দমা লব নোৱাৰিম।

"মই আশা আৰু বিশ্বাস কৰোঁ—আপুনি পৰামৰ্শ দিব।"

"নোৱাৰোঁ মই দিব। বাৰু, কালিলৈ তুমি উত্তৰ পাবা।" বুলি কৈয়ে কার্লাইল উঠিল, থৰ্ণো উঠিল। থৰ্ণক দুৱাৰ মেলি দিয়েই সি ওলাই গল। তাৰ পিছতে কার্লাইলে ৰিচার্ডক টলা-ছাবি মোকলাই আনিলে আৰু সুধিলে "পিছে ৰিচার্ড, একেজন মানুহ হয়নে ?"

"নহয় ডাঙৰীয়া নহয়—তাৰ দৰে কোনোটোতে নহয়। তাৰ লগত ইয়াৰ কোনো সাদৃশ্য নাই। হেলিজন হত্যা-কাৰীজনৰ গালত এটা দাগ আছিল, ইয়াৰ নাই।"

কার্লাইলে আচৰিত মানিলে আৰু কলে, "তেনেহলে এতিয়া যাবৰ হৈছে বলা। তুমি মাৰাকো দেখা কৰিবা। এয়া ধৰা তোমাৰ টকা।"

"পৰম বাধিত হলোঁ মিঃ কার্লাইল।" বুলি কৃতজ্ঞতাভৰা চকুৰে একেথৰে কৰ্লাইলৰ মুখলৈ চাই থাকিল।

দুয়ো ওলাই ৱেষ্টলিনিৰ বাৰবাৰাইতৰ ঘৰলৈ বেগ দিলে। তেওঁলোকক দেখিয়েই বাৰবাৰা ওলাই আহি কার্লাইৰ হাতত ধৰিলে। ৰিচার্ড ভিতৰলৈ গলগৈ। বাৰবাৰাই কার্লাইলক সুধিলে, "একে মানুহ হয়নে ? থৰ্ণ ?"

"নহয় বাৰবাৰা। ৰিচার্ডে কয় যে ইয়াৰ লগত কোনো সাদৃশ্যই নাই।" বাৰবাৰাই দীঘলকৈ হুমুনিয়াহ পেলাই কলে' "তেনেহলে সকলো আশা-ভৰসা মিছা হল! কথা তেনেই অন্ধকাৰত থাকিল।"

"অৱশ্যে থৰ্ণৰ বিষয়ে থাকিল। বলা ভিতৰলৈ যাওঁ।"

তেওঁলোক দুয়ো ভিতৰলৈ গৈ দেখে যে ৰিচার্ডৰ মাক আৰু ৰিচার্ড দুয়ো গলত ধৰাধৰিকৈ কান্দিবলৈ ধৰিছে। কার্লাইলক দেখা পাই হেয়াৰদম্পতীয়ে কৈ উঠিল "তোমাৰ দয়াৰ গুণত কার্লাইল! তোমাৰ ওচৰত আমি চিৰকৃতজ্ঞ থাকিম। কিন্তু মিঃ হেয়াৰ ভাল মানুহ নহয়, তেওঁক আমি যম যেন ভয় কৰোঁ। এতেকে আমি দুয়ো কথা হওঁমানে তুমি আৰু বাৰবাৰা দুয়ো সেই ফুলনিত সোমাই ফুৰি ফুৰি মিঃ হেয়াৰৰ আগমন প্ৰতীক্ষা কৰি থাকাগৈ। তেওঁক দূৰৈতে দেখিলেই বাৰবাৰা লৰি আহি আমাক জান দিবহি। তেতিয়া ৰিচার্ড নিৰাপদে ওলাই যাব পাৰিব। কৰিবানে ?"

"নিশ্চয় করিম—আপুনি কোনো ভয় নকরিব ; মই তাক একেবারে নিরাপদে রেষ্টলিনিৰ বাহিৰত থৈছে ঘৰলৈ ফিৰিম। অন্ততঃ দহ বজালৈ মই ইয়াত আছোঁ।"

যেনে পৰামর্শ তেনে কাম। কার্লাইল আৰু বাৰবাবা ফুলনিৰ মাজত সোমাই ফুৰি ফুৰিবলৈ ধৰিলেগৈ। অলপ বেলিৰ মুবত কার্লাইলে বাৰবাবাৰ ফালে হাতখন আগবঢ়াই দিলে—তায়ো হাতত ধৰিলে। দুয়ো হাতত ধৰাধৰিকৈ কথা পাতি ফুৰি থাকিল।

ইছাবেলৰ মনত পৰিল—তেওঁৰ গিৰিয়েক আৰু বাৰবাবাৰ কথা। ঠিক ৯।০ বজাত ইছাবেলে মুৰ বিন্ধোৱাৰ চেলু উলিয়াই বন্ধুৰ ঘৰৰপৰা বিদায় লৈ ঘৰমুৱা হ'ল। অলপ দূৰ নৌ আহোঁতেই এজন ভদ্রলোকে তেওঁলোকৰ গাৰীৰ গাৰোৱানক গাৰী থমাবলৈ হাত বাউল দিলে আৰু লগে লগে গাৰীৰ ওচৰ চাপিলহি। ইছাবেলে প্রথমতে মানুহজনক চিনি পোৱা নাছিল, কাৰণ সি এটা কিবা কুৎচ ৰকমৰ টুপি পিন্ধিছিল। ভদ্রলোকজন ফ্রান্সিছ কেপ্তেন লেভিছন। ইছাবেলে বিবিকি দুৱাৰ নমাই দিলে। লেভিছনেই আৰম্ভ কৰিলে—

"মই তোমালোকৰ গাৰী বুলিয়েই জানিছিলোঁ। পিছে ইমান সোনকালে ফিৰিলানে?"

"এনেয়ে আহিলোঁ।"

"ময়ো ফুৰিবলৈ আহিছিলোঁ ; ভাগৰ লাগিছে ; মোক বহিবলৈ দিবানে?" ইছাবেলে বিনা আপত্তিতে দুৱাৰ মেলি দিলে। লেভিছন গাৰীত উঠি ইছাবেলৰ কাষতে বহি পৰিল। ইছাবেলে সুধিলে, "মিঃ কার্লাইল ঘৰত আছেনে?"

"নাই।" অলপ ভাবি-শুবি কলে, "তেওঁ এতিয়া বাৰবাবাৰ লগত প্রণয় সম্ভাষণত ব্যস্ত চাগেঁ।"

ইছাবেলৰ গা শিৰিৰি উঠিল। প্রথমতে মনক দমাই ৰাখিলে। কিন্তু নোৱাৰিলে। শেহত সুধিলে, "কিহত ব্যস্ত?"

"মই এতিয়াই হেঁহাৰ পৰিয়ালৰ পদুলি মুখেদি আহোঁতে দেখা পালোঁ দুজন মানুহ—এজন ভদ্রলোক আৰু আন জনী গাভৰু ছোৱালী ; যেন বোধ হ'ল ফুলনিখনত হাত ধৰাধৰিকৈ জোনাকত ইজনে সিজনক সাদৰ সম্ভাষণ জনাইছে। তেওঁলোক তোমাৰ গিৰিয়েকা কার্লাইল আৰু বাৰবাবা নিশ্চয়, আন কোন হ'ব?"

ইছাবেলৰ অন্তৰ সেইপিনে ডেইপুৰি গ'ল। ইমান দিনে সন্দেহৰ ওপৰত ভাহি দুৰা সতিনী দাহ খাটাং প্রমাণ হ'ল। আগেয়ে তেওঁ কার্লাইলক ঘৃণা কৰিছিল খণ্ডতে, কিন্তু এতিয়া? মিছলীয়া, সঁজাত নোহোৱা কাপুকষ! বাৰবাবাৰ লগত গিৰিতি কৰিবৰ উদ্দেশ্যেই মোক ফাকি দিছিল!"

ইছাবেলে সেইপিনে গাৰীতে হেলনি দি গৰি দুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। গাৰী আহি হেঁহাৰ পদুলি মুখ পাওঁতে তেওঁ নিজ চকুৰে দেখিলে সুন্দৰ ফৰিস্কটা জোনাকত, ফুলৰ গোন্ধেৰে আমোদিত ফুলনি মাজত তেওঁৰ গিৰিয়েক কার্লাইল আৰু বাৰবাবাই হাত ধৰাধৰিকৈ বতাহ খাইছে! ইছাবেলৰ চকু অন্ধ হ'ল, অন্তৰেদি বিজুলী প্রবাহ বৈ গ'ল। তেওঁ গাৰীতে সেইপিনে বাধৰি পৰিল।

লেভিছন? ছঃসাহসী লেভিছনে সুযোগ পালে। হাতখন আগবঢ়াই দি তেওঁক সাৰট মাৰি, আকোৱালি ধৰি ওচৰলৈ টানি আনিলে আৰু কাণে কাণে কলে, "তুমি তেওঁক ভাল নোপোৱা, তেওঁ তোমাক ভাল পাব কেনেকৈ?"

ইছাবেলৰ হিতাহিত জ্ঞান লোপ পালে—অন্ততঃ সেই নিশা, নহলে তেওঁ এনে কথাত কেতিয়াও কাণ দিলেহেঁতেন। ইছাবেল বাউলি হৈ উঠিল। তেওঁৰ সম্পূর্ণ বিশ্বাস হ'ল—মুনিহ আৰু তিৰোতাৰ মাজত যি পৰিত্র ভাব থকা আৱশ্যক সেই পৰিত্র ভাব কার্লাইলে উপেক্ষা কৰিলে।

কুকুৰ নেটীয়া বাঘ লেভিছনে ওমধি উঠিল, "সেই মিথ্যাবাদী কুকুৰৰ প্রতিহিংসা লোৱা ইছাবেল। সি কোনোমতে তোমাৰ উপযুক্ত নাছিল। দুখৰ জীৱন এৰি সুখৰ বাজ্যলৈ আহা।"

লেভিছন কর্ম্মক্ষেত্রত নামিল।

ৰাতি ১০॥ বাজিল। ব্রিচার্ডে মাকৰপৰা বিদায় লৈ

ফুলনিৰ মাজত কার্লাইল আৰু বাৰবাবাক লগ ধৰি বিদায় লৈ নিজ বাটৰি খোজ ললে। কার্লাইলেও বাৰবাবাৰপৰা বিদায় লৈ ঘৰলৈ বেগ দিলে। বাৰবাবাই চকুলো টুকি টুকি ফটকতে হেলনি দি থাকিল। তাই তাত সেইভাৱে বহুত সময় থাকিল। তেতিয়াও জাহিছ হেঁহাৰ ঘৰ পোৱাহি নাই। নিজৰ ভাবনা-সাগৰত বৰকৰাই থাকোতে পিছফালৰপৰা কার্লাইলে মাত লগাবেহি, "বাৰবাবা, যিমানে লৰালৰি কৰা যায়, সিমানে পলহৰে হয়। আধা বাট গৈয়ে ফিৰি আহিবলগীয়াত পৰিলোঁ। তোমালোকৰ ঘৰত মই বহা মেজৰ ওপৰত কাকতৰ সক টোপোলা এটা এৰি থৈ গৈছোঁ, মোৱা, টোপোলাটো লৈ আহাঁগৈ।" বাৰবাবা লৰি গৈ কাকতৰ টোপোলাটো আনি কার্লাইলক দিলেহি। তেওঁ বাৰবাবাক সংযোগে ধন্যবাদ দি আকৌ ঘৰলৈ ঢাপলি ধৰিলে।

বাৰবাবা আকৌ সেই চিন্তাত পৰিল। ব্রিচার্ডৰ বাবে তাই চকুলো টুকি টুকি কান্দিলে। কত ভাবিলে, কত গাঢ়িলে—সীমা-সংখ্যা নাই ; ভাবি ভাবি অস্থিৰ হ'ল। এনেতে ব্রিচার্ড হেঁহাৰ হাতত মাৰে ভৰিত মাৰে ওচৰলৈ আহি মাত লগালে, "বাৰবাবা! বাৰবাবা! শুনা, শুনা—মই এইমাত্র থৰ্ণক দেখিলোঁ।"

"এবা দেখা বুলি জানো, সেইটো আছল থৰ্ণ নহয়।"

ব্রিচার্ডে উখাহ লৈ কলে, "কি নহয় বাৰবাবা! মই আজিহতি কার্লাইলৰ অফিছত দেখা পোৱা সেই জন নহয়—ই আন এজন মোৰ পৰম শত্রু স্বয়ং থৰ্ণ—পাপীষ্ঠ। মই আছল বাটেদি নগৈ, এটা আওপকীয়া বাটেদি যাওঁতে এজন মানুহক লগ পালোঁ। সি রেষ্টলিনিৰ ফালে আহিছিল, দেখোঁ যে থৰ্ণ—সেই মোৰ চিৰশত্রু থৰ্ণ ; তাত অলপো ভুল নাই" বাৰবাবাই ভেবা লাগি তাৰ ফালে চাই থকা দেখি সি উত্তেজিত হৈ কলে, "বাৰবাবা তাক দেখিলেই মোৰ গা কঁপি উঠিল। মনক দমালোঁ, ভয়া, হ'ল—জানোছা বলে নোৱাৰোঁ। নহলে তেতিয়াই তাক ধৰিলোঁহেতেন। যিজনে এজনক হত্যা কৰি হাঁহি হাঁহি জগতক মুখ দেখাই ফুৰিছে সেইজনে দ্বিতীয়জনক হত্যা কৰিবলৈও কুণ্ঠিত নহয়।"

"ব্রিচার্ড, জানোছা তোমাৰ ভুল হৈছে? কাৰণ তোমাৰ অন্তৰ থৰ্ণৰ ভাবনাৰে ভৰপুৰ হৈ আছে, তুমি সকলোকে থৰ্ণ যেন দেখা।"

"হবই নোৱাৰে বাৰবাবা। কেতিয়াও ভুল হোৱা নাই।" সি বুকুত হাত দি কলে, "যাৰ মূর্ত্তি ইয়াত তেজেৰে অঙ্কিত হৈ বৈছে সেই জনক পাহৰিম! মোক লৰা মানুহ যেন ভাবানেকি যে মই যাকে তাকে থৰ্ণ বুলি আঙুলিয়াই ফুৰিম? তাৰ সাজ-পাৰ, চলন-ফুৱন ঠিক একেৰকমে আছে—মাত্র অলপ বীণাইছে। তাৰ মুখৰ চুলি এতিয়াও পাছফালে ওলোটাই আচোৱা। আজিও হাতেৰে পাছফালৰ চুলি আচোঁৰোতে জকমকীয়া হীৰা ঘটোৱা আঙঠি শোভা পাইছিল। আৰু কি লাগে বাৰবাবা?

ব্রিচার্ডৰ কথাবোৰ এনে মৰ্ম্মস্পর্শ, এনে হৃদয় বিদাৰক আছিল যে কথা শুনি ভনীয়েক বাৰবাবাৰ অন্তৰ গলি গ'ল। ব্রিচার্ডে আকৌ কলে, "মই তাৰ মুখখন ভালকৈ দেখিছো বাৰবাবা। সন্দেহ কৰিবৰ কোনো কাৰণ নাই। মই শপত খাই কব পাৰোঁ—সি নিশ্চয় থৰ্ণ হয়।"

বাৰবাবা উত্তেজিত হৈ উঠিল—ব্রিচার্ডৰ কথা বিশ্বাস হ'ল। "ব্রিচার্ড, এই কথা কার্লাইলক জনাব লাগে। তেওঁ আধা-আদি বাট পালে চাগেঁ। বলা বেগেৰে যাওঁ, নিশ্চয় তেওঁক লগ ধৰিব পাৰিম।"

দুয়ো ইষ্টলিনিৰ ফালে ঢাপলি ধৰিলে। কার্লাইলক ভাগ্যে পদুলিমুখতে লগ পালেগৈ। ব্রিচার্ড পিছ হহকিল। কার্লাইলে সিহঁতক দেখি আচৰিত হৈ সুধিলে, "বাৰবাবা! কিয় আহিলা?"

বাৰবাবাই ফোপাই ফোপাই কলে, "আৰ্কিবল। আৰ্কিবল! মই এতিয়াও পগলা হোৱা নাই। আহা, এই ফালে আহা, ব্রিচার্ডে কি কয় শুনাহি। সি বোলে এইমাত্র আছল থৰ্ণক লগ পালে বাটতে।"

কার্লাইল স্তম্ভিত হৈ বাৰবাবাৰ পিছে পিছে খোজ লগে। ব্রিচার্ডক দেখি কলে, "ব্রিচার্ড মোৰ বিশ্বাস তুমি আজি বাতি মোৰ অফিছত দেখা থৰ্ণৰ বাহিনে, সেই নামৰ দ্বিতীয় মানুহ নাই। বৰ আচৰিত কথা।"

"সি হয়তো অন্য নাম লৈ ছদ্মবেশেৰে ইয়াত আছেহি। মই এতিয়া দেখা জন যে মোৰ পৰম শত্রু খৰ্ণ হয়—তাত অকণো ভুল নাই। তাৰ চলন-ফুৰণ সাজ-পাৰ, পাছফালে ওলোটাই আচোৱা চুলি সকলোবোৰ তেনেই আছে। এতিয়াও তাৰ হাতত হীৰাখটোৱা আঙঠি অলি আছে। ই নিশ্চয় সেই খৰ্ণ হয়।"

কার্লাইল আক বাৰবাৰা হুয়ো নীৰব। কি উপায় অৱলম্বন কৰা যায়? ভাবি-শুনি কার্লাইলে কলে, "বিচার্ড, তুমি ইয়াত ছদিনমান থাকা আক সেই মানুহজনৰ আলেণ লেণ চাই ৰুবা। তুমি তাক নিশ্চয় আকৌ দেখিবা; তেতিয়া তাৰ পাছ লবা আক কেনেকৈ থাকে সকলো কথা উলিয়াবা। যদি পৰা যায় তেন্তে সিনো কোন বাস্তৱিক জানিব লাগে।"

"মই থাকিব নোৱাৰোঁ—বিপদৰ ভয়।"

"কোনো ভয় নাই; তোমাক ইয়াত কোনেও চিনি নাপায়। বিশেষতঃ তুমি যি ছদ্মবেশেৰে আছা, তোমাক চিনিবৰ কোনো উপায় নাই।"

বিচার্ড বিদায় হল। কার্লাইলে বাৰবাৰাৰ অনিচ্ছা সত্ত্বেও তাইক বাতি ১১ বজাত আগবঢ়াই গৈ ফিৰি আহিল।

কার্লাইল ঘৰ সোমাল। দেখিলে ইছাবেলে কিবা-কিবি লিখিছে। তেওঁ বন্ধুৰ ঘৰৰ নিমন্ত্রণৰ বিষয়ে কিবা শুধিলে; ইছাবেলে সংক্ষেপে তাৰ উত্তৰ দিলে। সেহত তেওঁ সুধিলে—"নোশোৱাহনে?"

"অলপ পৰমে তমগৈ, মোৰ টোপনি ধৰা নাই।"

"নই তেনেহলে শোওঁ গৈ ইছাবেল। মোৰ বৰ ভাগৰ লাগিছে।"

"অ, তুমি শোৱাগৈ।"

কার্লাইলে মুখখন নমাই ইছাবেলক চুমা খাব খুজিলে; কিন্তু তেওঁ খং মনেৰে মুখ ঘুৰালে। কার্লাইলে ভাবিলে যে নিমন্ত্রণ খাবলৈ লগত নোযোৱা বাবে—তেওঁ মনত বেজাৰ পাইছে। হাতখন কাঙ্কত দি হাঁহি হাঁহি কলে, "অবোধ ছোৱালী, এইখিনিতে খং অভিমান? মোৰ দোষ নহয় ইছাবেল! বাৰু, বাতিপুৱা কথা হম, মোৰ বৰ ভাগৰ লাগিছে, এতিয়া শোওঁগৈ।"

ইছাবেল নিথাতে ময় থাকিল, কার্লাইলৰ কথাৰ কোনো উত্তৰ নিদিলে। তেওঁ নিজৰ চাৰিপাটিত শুলেগৈ। অলপ বেলিৰ মুৰতে তেওঁ উঠি হাতত সাৰে ভৰিত সাৰে জেডিৰ ঘৰত সোমাই তাইক জগালে। জেডি মোৰ টোপনিত। উচপ খাই সাৰ পাই উঠি দেখে সন্মুখত হাতত অলোৱা মমবাতি এডাল লৈ ইছাবেল দণ্ডায়মান। আচৰিত! মেডাম, আপোনাৰ অসুখ হৈছে?"

"অসুখ? এবা অসুখ,—ভয়ানক।" বাস্তৱিকে ইছাবেলৰ ভয়ানক অসুখ। মানুহজনী একেবাৰে শেতা পৰি উঠিছিল। "জেডি, মোৰ আগত এটা অঙ্গীকাৰ কৰ যদি মোৰ কিবা হয়, তেন্তে এই ইষ্টলিনিত মোৰ লবা ছোৱালীহঁতক বাখি থাকিবি।"

জেডিয়ে কি উত্তৰ দিব? তাই স্তম্ভিত হৈ ৰ'লাখি ইছাবেলৰ মুখলৈ চাই থাকিল। "জেডি, তই আগেয়ে এবাৰ শপথ খাইছিলি, আজি এতিয়াও আকৌ এবাৰ শপথ খাই ক—যে মই মোৰাৰ পিছত তই পোনাইতক বাখিবি।"

"বাৰু, সিইতৰ লগত থাকিম, মেডাম্। কিন্তু আপোনাৰ কি হল, কি অসুখ হল?"

"বিদায় জেডি।" বুলি কৈয়ে ইছাবেল গেনেকৈ হাতত সাৰে ভৰিত সাৰে আহিছিল, তেনেকৈ ওলাই গল। জেডিয়ে অকলে অকলে এঘণ্টামান আকাশ পাতাল ভাবি ভাবি আকৌ টোপনিত পৰিল।

সেই নিশা জেডিহঁতে যে অকণ নিদ্রাভঙ্গ হৈছিল, এনে নহয়; পৰিচালৰ আটাইকেজনবে টোপনি ভাগিল। কার্লাইল সাৰ পাই উঠিল; দেখে যে ইছাবেল শোৱা পাটিত নাই। তেওঁ আচৰিত হৈ ঘৰী চাই দেখিলে, তেতিয়া ৩ বাজি ১৫ মিনিট। কার্লাইল উঠিহেই দৈবীয়েকৰ বুলনি ঘৰলৈ গৈ দেখে ঘৰ অন্ধকাৰ; তাত কোনো প্রাণীৰে সাৰ-শব্দ নাই। মাতিলে, "ইছাবেল! ইছাবেল!"

কোনো উত্তৰ নাই; তেওঁৰ প্রশ্নৰ প্রতিধ্বনিহে সেই গভীৰ ৰাতি শুনা গল। ততাতিকৈ তেওঁ লেম্প এটা জ্বলাই ঘৰৰ অন্যান্য কোঠালিবোৰত চালেগৈ ক'তো

ইছাবেলক পোৱা নগল। তাৰ পিছত কর্ণেলিয়াৰ ঘৰলৈ গৈ তেওঁক জগালেগৈ। বায়েকে চমকৃ খাই উঠি সুধিলে, "কাৰ কি হৈছে?"

কার্লাইলে কঁপি কঁপি উত্তৰ দিলে, "ইছাবেল ঘৰত নাই; কতো দেখাও নাপাওঁ।"

"তাই ঘৰৰ কতো নাই! কেলেই, সময় কিমান? তাই শুবলৈ মোৱা নাছিলনে?"

"এতিয়া ৩ বাজি গৈছে। তাই শুবলৈ মোৱা নাছিল মই ম'ত্তে।"

"তেনেহলে তাই জেডিৰ ঘৰলৈ গৈ তাইক আমনি কবিছে চাগৈ।"

কার্লাইলে তৎক্ষণাৎ জেডিৰ শোৱা ঘৰলৈ বেগ দিলে। ভাবিছিল যে তাত পোহৰ আছে; হয়তো ইছাবেল তাইৰ বিছনাৰ ওচৰত বহি আছে। কিন্তু ক'তা? তাতো ইছাবেল নাই। কলৈ গল? তেওঁ জেডিক জগালে। জেডি চমকৃ খাই উঠিল, কার্লাইলক দেখি। তেওঁ সুধিলে, "ইছাবেল ইয়ালৈ আহিছিলনে?"

জেডিয়ে ভালেখিনি সময় একো উত্তৰ দিব নোৱাৰিলে। তাই টোপনিত ইছাবেলৰ কথাবে সপোন দেখিছিল; এতিয়া সাৰ পাই উঠি সপোনেনে দিঠক একো বিশ্বাস কবিব নোৱাৰি বিমোবত পৰিল। সুধিলে—

"কি কলে দেউতা? মেডামৰ সাংঘাতিক অসুখ হৈছে?"

"নই সুধিছোঁ—তাই ইয়ালৈ আহিছিলনে নাই? তাই ঘৰত নাই।"

জেডিৰ চেতনা আহিল। কলে, "কেলেই, আহিছিল। তেওঁ ইয়ালৈ আহি মোক জগাইছিলহি। তেতিয়া বাতি ১২ বাজিছিল। ঘৰীৰ কোৰ শুনিছিলোঁ। তেওঁ এক মিনিটো ইয়ত নাথাকিল দেউতা।"

"তোক জগাইছিলহি? কেলেই? কি খুজিছিল? কিয় আহিছিল?"

জেডিয়ে কল্পনা বাজ্যত ঘুৰি ফুৰিবলৈ ধবিলে। ইছাবেলৰ বিদায়-ক্ষণৰ শেঁতাপৰা মুখখন মনত পৰিল—গা শিৰ্বি উঠিল। বাতি ৩ বাজিছে, তেওঁ শুবলৈযো মোৱা নাছিল, ঘৰতো কতো নাই! তাইৰ অন্তৰত এটা ভয় উপজিল। সকলোকে পাহৰি এখন হাতেৰে গাৰ কাপোৰ চেপা মাৰি ধৰি, আনহন কার্লাইলৰ কান্ধৰ ওপৰত থৈ কলে, "আহক! দেউতা, তেওঁ নিজে নিজে ধ্বংস হল ঐ, নিজে নিজে নিজে ধ্বংস হল! দেউতা, মই এতিয়াহে তেওঁৰ সকলো কথা বুজিছোঁ।"

"জেডি!"

"তেওঁ নিজে নিজে ধ্বংস হল দেউতা। মই এতিয়াহে তেওঁৰ কথাবোৰ বুজিছোঁ আগেয়ে নোৱাৰিলোঁ। তেওঁ ইয়ালৈ আহিছিল—একেবাৰে শেতা পৰি। মোক অঙ্গীকাৰ কবাইছিল যে তেওঁ মোৰাৰ পিছত মই লবা-ছোৱালীহঁতক বাখি ইয়াত থাকিব লাগে। মই অসুখৰ কথা সোধাত কলে, "অসুখেই নহয়—তাতোকৈ ভয়ানক। আহক দেউতা! আজি এই বিপদৰ সময়ত ভগৱান আপোনাৰ সহায় হওক।"

কার্লাইলৰ মুখ ঘুৰি গল—নিৰ্ব্বাক, নিস্পন্দ। জেডিয়ে কোৱা কথা বিন্দু পৰিমাণো বিশ্বাস নহল। জেডিয়ে হাত মোহাৰি মোহাৰি কৈ গল—"ঠিক কথা দেউতা, ঠিক কথা। আপুনি বিশ্বাস নকবিব পাৰে। তেওঁৰ মনত অলপো সুখ শান্তি নাছিল, সেয়েহে তেওঁৰ এনে হল।"

"জেডি, তোৰ এতিয়াও চেতনা অহা নাইনে? তোৰ মেডামৰ অলপো সুখ শান্তি নাছিল? ইয়াৰ অর্থ কি?"

এনেতে কর্ণেলিয়াও সেইখিনি পালেহি; সুধিলে, "কি হৈছে? ইছাবেলক পোৱা নাই?" জেডিয়ে উত্তেজিত হৈ উত্তৰ দিলে। "তেওঁক বিচাৰি পোৱা নাই, নাযাবও। আইদেউ, আহিছে ভালেই হৈছে, যি কম আগতে কওঁ। আপুনিয়ে এই সর্ব্বনাশৰ মূল কাৰণ। তেওঁ এই ঘৰলৈ আহিবৰ দিন ধৰি আপুনিয়ে তেওঁৰ জীৱন এনে অসহনীয় কবি তুলিলে।"

"কিয় কি হৈছে? তাই ক'ত?"

"তেওঁ পলাল আক তেওঁ কি কবা উচিত আছিল তাকে কবিবলৈ বাধ্য হল। তেওঁ পৰাধীন—বন্দী-বেটী, কুকুৰ মেকুৰীৰ দৰে ইয়াত জীৱন কটাইছিল। সকলো

কথাবে মুল আপুনি; যত কবিলে আপুনি। আপুনি তেওঁব জীবন অশান্তিবে ভবা কবি তুলিলে।"

কথা কেইটি কর্ণেলিয়াব জিভা তালুত লাগিল। নির্ব্বাক, নিস্পন্দ হৈ থাকিল। "জেছিয়ে কোৱা কথা হয়নে? মই একো স্বুজো" বুলি কার্লাইলে বায়েকক সুধিলে। কোনো উত্তব নাই।

কার্লাইলে সকলো কথা বুজিলে। কলে, "ভগবানে তোমাক ক্ষমা কবক."

কার্লাইল বাজ ঘবত সোমালেগৈ। কিছু পব ভাবিওনি কালোব-কানি পিন্ধিলে আক মুবত টুপিটো, হাতত লাঠিডাল লৈ ওলাই গ'ল। নামি যাওঁতে জেছিয়ে তেওঁব হাতত চিঠি এখন দিলেহি, "এইখন মেডামব আঁচিব বাকছত আছিল।" তেওঁ চিঠি খন ললে, তেওঁলৈ লিখা—আৰ্কিবল কার্লাইল। তেওঁ যদিও ধৈর্য্যশীল, কিন্তু সংযমী নহয়, হাত কঁপিবলৈ ধবিলে।, "মেতিয়া দিন যায় আক মোব লবা-ছোৱালীহঁতে সোধে—সিহঁতব মাক কত, সিহঁতক কিয় এবি গল তেতিয়া কবা যে সিহঁত বাপেকে তাইক বেদি পেলাইছা। যদি সিহঁতে সোধে—তাই কি, তেন্তে তাকো কবা, কিন্তু তাব লগতে ইয়াকো কবা যে তুমি তাইক ফাকি দিছিলা আক সিহঁতক এবি যোৱাব আগবেপবা তাইক ধ্বংসব পথত আগবঢ়াই দিছিলা।"

কার্লাইলব চকুব আগত ইছাবেলব শেষ বিদায়ব চিঠিব আখব কেইটা ভাহি ভুবিবলৈ ধবিলে। তেওঁ ইছাবেলব কি কবিলে?

বাহিবত চাকব-নাকববোবে চাবিওফালে খলক লগাই বিগাবি কলে, "লেডিছন তাব শোৱা ঘবব বিছনাত নাই।" সি কলৈ গল? পলাল?"

কার্লাইল তলমুবকৈ ওলাই গ'ল।

—আগলৈ



ৰূপালী জুবিলীৰ শোভাযাত্রা দর্শন

(৬ই মে, ১৯৩৫)

—মিছ ডেলাছ চৌধুৰী

আমালোকে হঠাৎ ঠিক কবিলেঁ। সম্রাটৰ ৰূপালী জুবিলী (জয়ন্তী) উৎসৱ চাব লাগিব। মোৰ মা-দেউতাই আগবঢ়াই ইয়াৰ কথা কৈ আছিল। তেওঁলোকে কিং এডৱার্ডৰ শর-যাত্রাৰ সমাবোহ দেখিছিল ১৯১০ খৃষ্টাব্দত। সেই অভিজ্ঞতাবপবা তেওঁলোকে অনুমান কবিছিল যে ইংলেণ্ডে এই জয়ন্তী উৎসৱৰ ধুম ধাম বেছি হব। মোৰ তেতিয়া জন্ম হোৱা নাছিল, গতিকে তাব কোনো আন্দাজ মোৰ নাছিল। যিয়ে নহক, সকলোৱে কলে, এনে এটা দৃশ্য চোৱাৰ সুযোগ হেকৰা উচিত নহব। এতেকে উৎসৱৰ ঠিক আগৰ দিনা ঠিক কবা হ'ল যোৱা হব।



সম্রাট পঞ্চম জর্জ্জ—আঠ বছৰ বয়সত

আমালোকৰ পলম হোৱাত দুই গিণীৰ (১গিণী=১৫ টকা) পবা ১৫০ গিণীলৈকে বহিবৰ ঠাইৰ টিকটবিলাক বিকী হৈ গৈছিল। সেই নিমিত্তে ভিৰৰ ভিতৰপবা চোৱাৰ বাজে আমালোকৰ আন কোনো উপায় নাছিল। মোৰ দেউতাৰ (এছ, এন চৌধুৰী, বাৰিষ্টাৰ) ইচ্ছা যে



১৮৮০ খৃষ্ট প্রিন্স এলবার্ট আক প্রিন্স জর্জ্জ (৫ম জর্জ্জ সোঁফালে থিয় হৈ।)

বাতিয়ে লণ্ডন পায়গৈ; নগবতে বাতি থাকি, পুৱা উঠি থাই বৈ প্রথম শাবীতে থিয় হব পাৰে। কিন্তু বীক (জগদিন্দ্রনাবায়ণ চৌধুৰী) টেনিছ খেলি উভতি আহোতে বাতি নটা বাজিল। বিশেষকৈ সি বব ক্লান্ত হৈ পবিছিল বুলি পিছদিনা পুৱাবেলি মোৰোটোকে ঠিক কবা হল।

আমি লণ্ডনবপবা ৫৬ মাইল দূবৈত থাকোঁ। গড়ে ঘণ্টাত ৩০ মাইল বেগে গলে দুই ঘণ্টা লাগে।

২৪ ঘণ্টাৰ আগৰেপৰা লণ্ডনৰ বুকুত মানুহ গোট খাব ধৰিছিল। হাজাৰে-বিজাৰে মানুহে বাজত বাটৰ ওপৰতে ওৰে ৰাতি কটাইছিল। যি বাটেদি শোভা যাত্ৰা যোৱাৰ



১৮৯৮ খৃঃত সম্ৰাট পঞ্চম জৰ্জ্জ—নৌ বিভাগত

কথা সেই বাটত মানুহেই মানুহ। পুৱা আঠ বজাত সকলো ৰকম যান-বাহন আৰু মানুহৰ চলাচল বন্ধ হোৱাৰ কথা। যিসকলে টিকট কিনিছিল সেইসকলে ন-টাৰ আগতে নিৰ্দ্দিষ্ট আসনত বহিব লাগিব; কাৰণ ন-টাতে দুৱাৰ বন্ধ হব। এতেকে আমি ৰাতি নুপুৱাওঁতেই উঠিব লাগিব।

আমি পুৱা ৪—৪৫ মিনিটত উঠিলোঁ। তেতিয়াও আন্ধাৰেই আছে। ৫ বজাত আমি মটৰত উঠি যাত্ৰা কৰিলোঁ। লাহে লাহে পোহৰ হব ধৰিলে। আইতাই গাৰী চলাবলৈ ধৰিছিল। লণ্ডনৰ উপকণ্ঠ আহি যেতিয়া পালোঁ তেতিয়া বীৰুয়ে চলাবলৈ ললে। * * * * বহু সময়লৈকে কোনো জন-মানৱ চকুত নপৰিল। সুৰম্য 'কেণ্টিচৰ' (Kentish) ফলৰ বাগিচাৰ গছবিলাক ফল-ফুলৰ ভৰত অৱনত হলেও তাৰ বগা আৰু পাতল বৰণৰ ফুলবিলাকে সৰগৰ পিনে মুখ তুলি পৰম সৌন্দৰ্য্য বিস্তাৰ কৰি আছে; আমি তাক অতিক্ৰম কৰি আহিলোঁ। তেতিয়াহে পোহৰ হল—ঘূৰণীয়া ডাঙৰ ৰঙা 'বল'টোৰ নিচিনাকৈ প্ৰভাতৰ তৰুণ অৰুণ মেঘৰ আঁৰৰপৰা ওলাই তাৰ কিৰণ জাল বিস্তাৰ কৰিলে। কৃষকসকল ঘৰৰ (farms) পৰা ভেৰা পোৱালিৰ সৈতে পথাৰ বুলি দৌৰ ধৰিছে। আমি স্বচ্ছন্দে যাবলৈ ধৰিছোঁ, কাৰণ বাটত কোনো উপদ্ৰৱ নাছিল। যেতিয়া 'চেথাম্' (Chatham) পালোঁ তেতিয়া দেখিলোঁ মানুহৰ চঞ্চলতা—ঠায়ে ঠায়ে ছেণ্ট্ জন্স এম্বুলেন্স্ৰ (St John's Ambulance) মানুহ কিছুমান



ৰূপালী জুবিলী উপলক্ষে সম্ৰাট ৫ম জৰ্জ্জক ষ্টেষ্টমিন্‌ষ্টাৰ হলত লৰ্ডছ আৰু কমন্সসকলে অভিনন্দন দিছে।

সিহঁতৰ মহৎ অনুষ্ঠানৰ ঠাই বুলি যাবৰ বাবে বাছৰ (buses) কাৰণে ৰৈ আছে। পুৱাৰ এই সময়টো গৰম আছিল, তাৰপৰাই অনুমান হৈছিল—দিনটো গৰম হব।

৬-৪০ মিনিটত লণ্ডন পালোঁ। সকলো বাট জনাকীৰ্ণ। পুলিছে মানুহক শাৰী বান্ধি দিবলৈ ধৰিছে। আমালোকৰ মটৰ গাৰীখন আড্ডাত (গেৰেজ) থৈ দি ক'ত থিয় হবলৈ ভাল ঠাই পোৱা যায় তাকে চাবৰ বাবে ওলালোঁ; কিন্তু ভাল ঠাই পোৱা অসম্ভৱ বুজিব পাৰি সেই 'গেৰেজ'ৰ ওচৰতে বৰাতে যেনে ঠাই মিলায় তাকে চাবৰ চেষ্টা কৰা হল। আমি 'পেল্ মেল (Pall Mall) হে' মাৰ্কেট (Hay market) লৈ খোজ কাঢ়ি গলোঁ। ইয়াত মানুহ কম আছিল। আমি বাৰ্কলেজ (Barclay's Bank) বেঙ্কৰ বাহিত থিয় হলো। বেছ ভাল ঠাই, আমাৰ মুখৰ আগত মাথো দুই শাৰী মানুহ। আমালোকৰ পাছফালে



ৰূপালী জুবিলী দিনত উত্তৰ লণ্ডনৰ 'ভিক্টৰিয়া মেম'ৰিয়েল'ৰ কাষেদি যোৱা শোভাযাত্ৰাৰ মাজত সম্ৰাট আৰু সম্ৰাজ্ঞী।

বাওঁহাতে এটা ডাঙৰ তোৰণ (গেট) সাজি থোৱা আছে; এইবোৰ ৯টাৰ সময়ত বন্ধ কৰি দিয়া হয়, যাতে মানুহ সোমাব নোৱাৰে। এই ইমান আগেয়েও (পুৱাতে) বহুত চাবলগীয়া বস্তু আছিল। বিশেষকৈ ক্ৰমে বাঢ়ি যোৱা লোক-তৰঙ্গ আৰু বাট, ঘৰ আদিৰ সাজ-সজ্জাবিলাক।

কেইদিনমানৰ আগতে আমি সুসজ্জিত সকলো আলি বাট চাই গৈছিলোঁ। ফুলৰ মালা, পতাকা প্ৰভৃতিৰে বহুত টকা খৰচ কৰি নয়নাভিৰাম সাজত সজাই থৈ দিয়া হৈছে। বিশেষকৈ 'বণ্ড ষ্ট্ৰীট (Bond Street) টো অতি সুন্দৰ হৈ উঠিছিল। ওৰে আলিটোৰ ওপৰেদি আছল ফুলৰ মালা দি সজাই দিয়া হৈছে, ঠায়ে ঠায়ে ফুলৰে ডাঙৰ ডাঙৰ ঘণ্টা আৰু 'ক্ৰাউন' অৰ্থাৎ ৰাজমুকুটৰ দৰে সজাই থোৱা হৈছিল। এইবোৰ সাজোতে ২০০০ হাজাৰ পাউণ্ড (অৰ্থাৎ ২৭০০০ হাজাৰ টকা) খৰচ হৈছিল বুলি প্ৰকাশ।



শোভাযাত্ৰাৰ সময়ত সম্ৰাট আৰু সম্ৰাজ্ঞী গাৰীৰপৰা নামি মেৰিলিব'ন টাউন হলৰ আগত থিয় দিছে।

৮ বজাত মানুহৰ ভিৰ আৰু বাঢ়ি যাবলৈ ধৰিলে। জাহাজৰ নাবিক সৈন্যসকলে আহি পুলিছৰ মুখৰ আগত 'লাইন্' হৈ থিয় হল। বাটৰ আগফালে, আমাৰ পিনে মুখ কৰি এটা ডাঙৰ 'ষ্টেচু' (Statue) অৰ্থাৎ প্ৰতিমূৰ্ত্তি



উত্তৰ লণ্ডনৰ শোভাযাত্ৰাৰ আন এটি দৃশ্য। সম্ৰাট-সম্ৰাজ্ঞী থিয় দি আছে।

থিয় হৈ আছিল। কিছুমান মানুহে তাত গৈ উঠিবলৈ ধৰিলে; পুলিছে সিহঁতক দেখি টানি টানি নমাই দিবলৈ

ধৰিলে। আকৌ আন কিছুমানে উঠে, আকৌ নমাই দিয়ে—সি এক মজাৰ দৃশ্য। ৮-৩০ মিনিটত মানুহৰ চলাচল বন্ধ কৰি দিয়া হল। তেতিয়া ঝাকদাৰে আহি



ৰূপালী জুবিলী উপলক্ষে লণ্ডনৰ জিলাবিলাকৰ বাটত লৰা-ছোৱালী বিলাকক যি টী পাৰ্টি দিয়া হৈছিল তাৰে এটি দৃশ্য।

বাটে বাটে বালি ছটিয়াবলৈ ধৰিলে। আমালোকৰ পাছফালৰ 'ষ্টেণ্ড' (মানুহ বহাৰ নিমিত্তে সজা ঠাই) বিলাকত মানুহ আহি বহিবলৈ ধৰিলে। 'ছেণ্ট পলত' (লণ্ডনৰ প্ৰধান গিৰ্জ্জাঘৰ) যাব লগা মটৰবিলাক এতিয়াৰেপৰা আমালোকৰ মুখৰ আগেদি যাবলৈ ধৰিলে। প্ৰতিখন 'কাৰ'ৰে এটা এটা বিশেষত্ব দেখি দৰ্শকৰ মনত



ৰূপালী জুবিলী উপলক্ষে বিজুলী আলোকমালাৰে সজোৱা ৱেষ্ট মিনষ্টাৰ এবি, হোৱাইট হল ইত্যাদি।

মহা আনন্দ উপজিছিল। গতিশীল ভাৰতীয় বৰকন্দাজ সকলৰ মূৰৰ ধোৱা বৰণৰ পাগুৰীত সূৰ্য্যৰ কিৰণ পৰি উজলি উঠিছে। সিহঁতক দেখি দৰ্শকে আনন্দত সৰ্ব্ব প্ৰথম জয়ধ্বনি কৰি সম্বৰ্দ্ধনা কৰিলে। তাৰ পিছত গল মন্ত্ৰীৰ দল, ভাৰতীয় মহাৰজাৰ দল, নৌ আৰু স্থল সৈন্যাধ্যক্ষৰ দল আৰু ৰাজ কৰ্ম্মচাৰীসকল। সকলোৱে শোভাযাত্ৰা কৰি আমাৰ মুখৰ আগেদি 'ছেণ্ট পল্' বুলি যাবলৈ ধৰিলে।

৯টা বজাত জনতাৰ উৎসুক-আনন্দৰ উত্তেজনা আৰু প্ৰবল হৈ উঠিল। আমালোকৰ চাৰিওফালে যিসকল মানুহ আছিল সকলো সৎভাবাপন্ন আছিল। পৰস্পৰ ঠেলা-ঠেলি নাইবা যিহকে পাই তাকে বলকি আনৰ বিৰক্তিৰ কাৰণ হৈ উঠা প্ৰকৃতিৰ নাছিল। অলপ সময়ৰ ভিতৰতে মোৰ পিতাৰ লগত সিহঁতৰ বন্ধুত্ব হৈ গল।



আলোকমালাৰে সুসজ্জিত লণ্ডন নগৰীৰ এটি দৃশ্য

দেউতাই সকলোকে বিশেষ বিশেষ দৰ্শনীয় বিষয়বিলাক বুজাই দিবলৈ ধৰিলে। আমালোকৰ মূৰৰ ওপৰত ওখ ঠাইত এটা 'লাউড্‌স্পিকাৰ' (loud speaker) থৈ দিয়া আছিল, দহটাৰ সময়ত তাৰপৰা সময়োপযোগী ঐক্যতান সঙ্গীতধ্বনি হবলৈ ধৰিলে। সঙ্গীত থামিল। শোভাযাত্ৰা আৰম্ভ হল।

বৰ গৰম পৰিল ; সূৰ্য্যৰ প্ৰখৰ ৰশ্মি আমাৰ ওপৰত পৰিব ধৰিছে। মোৰ পিতাৰ পক্ষে অসহ্য হৈ উঠিল। কিন্তু সৌভাগ্যৰ বিষয় শোভাযাত্ৰা দেখি সেই ক্লান্তি গুচিল।—এক মুহূৰ্ত্তৰ পিছতে শোভাযাত্ৰাৰ প্ৰথম অংশ

দেখা গল। দেখিলোঁ প্ৰধান মন্ত্ৰী আৰু তেওঁৰ জীয়েকৰ পিছতে কেনেডাৰ প্ৰধান মন্ত্ৰী, দক্ষিণ আফ্ৰিকাৰ প্ৰধান মন্ত্ৰী, অষ্ট্ৰেলিয়াৰ প্ৰধান মন্ত্ৰী, নিউজিলেণ্ডৰ প্ৰধান মন্ত্ৰী, ছাৰ জোছেফ ভোৰ (Sir Joseph Bhore) ভাৰতৰ



আলোকমালাৰে সজোৱা য়ৰ্কৰ এটি দৃশ্য

প্ৰতিনিধিৰূপে, ৰোহডিছিয়াৰ প্ৰধান মন্ত্ৰী আৰু আল্‌ষ্টাৰৰ প্ৰধান মন্ত্ৰী। এখনৰ পিছত এখন কৰি মুঠ ছখন ঘোৰাৰ গাৰীত যাব ধৰিছে। ইয়াৰ পাছতে লৰ্ড চেন্সেলাৰ। তাৰ পাছতে 'স্পীকাৰৰ দল' (Speakers)।.....স্পীকাৰে বহিছিল ৫০০ বছৰ আগৰ 'অক' নামৰ গছৰ তৈয়াৰি ষ্টেট (ছৰকাৰী) গাৰীখনত। ইখন ১৯১১ খৃঃত যেতিয়া ৰজাৰ 'কৰনেশ্যন্' (অভিষেক) হৈছিল তেতিয়াৰ পিছত এই প্ৰথম উলিওৱা হৈছে।

তাৰ পিছত ৮৫ বছৰ বয়সৰ বুঢ়া ডিউক্-অব-কনট (ৰজাৰ খুৰা) আৰু ৰাজ পৰিয়ালৰ সকলোটি (ৰজা যাদে)। চাৰিওফালে বহুত দূৰৰপৰা জয়ধ্বনিৰ শব্দ আহিবলৈ ধৰিলে। ডিউক-অব-য়ৰ্কৰ (ৰজাৰ পুতেক) আগে আগে এদলে হাউছ গাৰ্ডে (ৰাজ প্ৰাসাদৰ ৰক্ষক) তেওঁক লৈ ওলাইছে দেখা গল।

এতিয়াহে আমালোকৰ শোভাযাত্ৰাৰ প্ৰকৃত জাক্ জমক চকুত পৰিল। নানা ধৰণৰ চাফচিকন নানান বৰণৰ বেশ ভূশাৰে ভূষিত পোন হৈ থকা ৰক্ষী সকলেৰে পৰিবৃত হৈ গাৰীত আহিল হাস্যময়ী ডাচেছ আৰু তেওঁৰ অকণমানী ধুনীয়া জীয়েক। তাৰ পিছৰ গাৰীতে ডিউক্-অব-কেণ্ট আৰু তেওঁৰ ঘৈণীয়েক মেৰিনা—বিতোপন ছবিটি যেন। তাৰ পিছৰ দলটো হল প্ৰিন্স্-অব-ৱেলছ, নৰোৱেৰ ৰাণী আৰু ডিউক্-অব-গ্লঁচেছটাৰৰ। তাৰ পিছতে প্ৰিন্সেছ ৰয়াল (ৰউজ কুমাৰী), আৰ্ল-অব-হেয়াৰউড আৰু তেওঁলোকৰ দুই কুমাৰ আৰু প্ৰিন্‌ছেছ ভিক্টৰিয়া।

ইয়াৰ পিছৰ শোভাযাত্ৰাটো বিশেষ জমকতাপূৰ্ণ সাজ-পাৰ পিন্ধা ৰয়েল হৰ্ছ আৰ্টিলেৰি (বৰ তোপেৰে সৈতে ঘোৰাৰ ছহিছ), কুইন্স বয়েজ (ৰাণীৰ চাকৰ), প্ৰিন্স-অব-ৱেলছ ড্ৰেগন কোৱাৰ্ডছ (যুৱৰাজৰ), কুইন্স-অ'ন্-হাহাৰ্ছ (ৰাণীৰ নিজা···) আৰু কিংছ ৰয়েল্ হাছাৰ্ছ (ৰজাৰ.....)। এতিয়া ঘন ঘন জয়ধ্বনিত আকাশ মণ্ডল মুখৰিত হৈ উঠিবলৈ ধৰিলে—ৰজা আহিব ধৰিছে।

পিছমুহূৰ্ত্তে ৰজাই হাঁহি হাঁহি ছেলাম কৰি কৰি আৰু ৰাণীয়ে বিনম্ৰভাৱে মূৰ দোঁৱাই দোঁৱাই বেগেৰে গলগৈ। তেওঁলোকৰ পিছে পিছে প্ৰিন্স আৰ্থাৰ-অব-কনট্, মাষ্টাৰ অব-দি হৰ্ছ (ঘোৰা বৰুৱা), গ'ল্ড ষ্টিক্-ইন্-ৱেটিং (সোণৰ ছড়িবৰদাৰ) আৰু এইড-ডি-কেম্‌ছ যাব ধৰিলে। চতুৰ্থ আৰু পঞ্চম গাৰীত কাশ্মীৰৰ মহাৰাজা, বিকানিৰৰ মহাৰাজা আৰু পাতিয়ালাৰ মহাৰাজা গল।

শোভাযাত্ৰা শেষ হল। পূৰাপূৰি ৩ ঘণ্টা অপেক্ষা কৰি আমি সকলো দেখিলোঁ। এতিয়া এই মানুহৰ ভিৰ ঠেলি মহাকষ্টে আমাক গেৰেজ (মটৰ ৰখা ঠাই) লৈ উভতি গৈ ঘৰ বুলি যাবৰ সময় আহিল।

আমি বিশেষভাৱে এই উৎসৱৰ আমোদ উপভোগ কৰিলোঁ। সকলোতকৈ ভাল লাগিল এই আনন্দত জনতাৰ আন্তৰিকতা আৰু উৎসাহ দেখি। এই সময়



আলোকমালাৰে সজোৱা য়ৰ্কৰ আন এটি দৃশ্য

খিনি যে সিহঁতে কটালে সিয়েই নহয়, আজি ওৰে ৰাতি সকলোৱে এইভাৱে কটাব।

আমি তাৰপৰা ওলাই আহি ইণ্ডিয়ান্ ৰেষ্টুৰেণ্টলৈ গৈ অলপ বিশ্ৰাম কৰি ঘৰ বুলি উভতিলোঁ।

বিশ্বপ্ৰেম

কবিতা—

—শ্ৰীযুত দেৱেশ্বৰ বৰদলৈ বি-এ,

সৰসীৰ গৰভত ভীষণ তৰঙ্গমালা
সলিলৰ তিৰবিৰ উত্তাল স্বভাৱ ;
চঞ্চল ৰূপালী ঢৌৱে হৰিষ ব্যাকুল স্বৰে
অবুজ সুৰত গায় প্ৰেমৰ প্ৰভাৱ ।

কোনে বুজে নিভৃতৰ প্ৰেমানন্দ প্ৰলাপন
আজি সউ পদুমীৰ চন্দ্ৰাৱলী ৰাতি ;
সূৰুযৰ অস্তাগতে জয় পৰি গল দেহি
যাতনাত অকলৈ কান্দে হিয়া ফাটি ।

মধুলোভী অলি প্ৰাণে গুণ গুণগুণ ৰৱে
ঝঙ্কাৰিলে গোলাপৰ ফুলাম পাহিত ;
ৰিব ৰিব বতাহত চেনেহ পিপাসা লই
বিপুল ৰাগিনী তাৰ প্ৰণয় বাঁহীত ।

প্ৰীতিৰ পৰাগ সানি লতাই সাবটে তৰু
ভাতৃৱৎ সাদৰেৰে ধৰে আকোৱালি ;
শান্তশিষ্ট আলিঙ্গন নীৰৱে বিয়পি পৰি
মিলনৰ গঢ়ে কেনে প্ৰাণ সোণোৱালি ।

নিজম দুপৰ নিশা জোনৰ কোমল হাঁহি—
ছাঁয়া পথ মাজে বহি ঢালে জিলিকনি ;
জলৰ কুঁৱৰী কন্যা লেউ সেউ ভেট ফুলে
লভিছে হৃদয়ে সেই প্ৰেম ছিটিকনি ।

বিশাল ব্ৰহ্মাণ্ড জুৰি কতনো নদীৰ প্ৰেমে
সাগৰক পতিৰূপে বন্দিছে চৰণ ;
জলধিৰ অনুৰাগ উন্মত্ত হৰিণ প্ৰায়
প্ৰবল উল্লাসে দিয়ে মৃদু পৰশন ।

ৰমনীয় বিহঙ্গই চাৰুবেশে ফুলনিত
প্ৰমোদ সঁফুৰা মেলে ইমন সুৰত ;
প্ৰেমৰ সঙ্গীত ধ্বনি সুদূৰত ৰিণি ৰিণি
ধীৰে ধীৰে ভাহি যায় আকাশ মাৰ্গত ।

অম্নিকা, তমাল তালে হাঁহি খেলেকনি মাৰি
বনস্পতি দেৱতাৰ বিগলায় প্ৰাণ ;
নীলাম্ৰৰ তলে জ্বলা ইন্দ্ৰনীল মণি ৰাগে
নিকুঞ্জত প্ৰেমপুৰ ৰচিছে মহান ।

সুৰলোক, বসুধাৰ বুকুৰ ওপৰে উৰে
বিশ্বপ্ৰেমী শক্তিশেলে দিক পোহৰায় ;
হাঁহিছে চেতনা প্ৰাণী নাছিছে প্ৰকৃতি ৰাণী
ৰাংঢালী যৌৱনেৰে খলক লগায় ।

———

মহিলা জগত

আন্তৰ্জ্জাতিক মহিলা সঙ্ঘৰ গোহাৰি

জেনেভাৰপৰা আন্তৰ্জ্জাতিক মহিলা সঙ্ঘই (The Women's International League for Peace and Freedom) য়ুৰোপৰ অনা-ইহুদী সকলৈ জাৰ্ম্মেন সকলৰ ইহুদী উৎপীড়নৰ বিৰুদ্ধে এখন গোহাৰি প্ৰচাৰ কৰিছে। এই সঙ্ঘই গোহাৰিত লিখিছে—

"জাৰ্ম্মেনিত ইহুদী উৎপীড়নৰ এটা ঢৌ বৈছে। তৃতীয় জাৰ্ম্মেন ৰাষ্ট্ৰৰ শাসনে হাজাৰ হাজাৰ সাম্যবাদী, সমাজতন্ত্ৰবাদী, শান্তিকামী, প্ৰজাতন্ত্ৰবাদী, কেথলিক, প্ৰটেষ্টাষ্ট আৰু ইহুদীসকলক কাৰাগাৰত আৱদ্ধ কৰি শাৰীৰিক আৰু মানসিক শাস্তি দি দি হত্যা কৰিছে। ইয়াৰ উপৰিও যিবিলাক লোক বৰ্ত্তমান জাৰ্ম্মেনিক শাসনকৰা দলটোৰ ধৰ্ম্মত দীক্ষিত নহয়, বা সেই দলটোৰে সৈতে একে জাতৰ নহয় তেওঁলোকৰ বিৰুদ্ধে জাতীয় ঘৃণাৰ অভিযান চলাবলৈ এই দলটোৱে প্ৰয়াস পাইছে।"

ইয়াৰ পাছত এই আন্তৰ্জ্জাতিক মহিলা সঙ্ঘই য়ুৰোপক আক্ৰমণ কৰি কৈছে—

"য়ুৰোপৰ সোঁ মাজতে এই উৎপীড়নৰ অভিনয় চলিছে, অথচ 'সভ্য' য়ুৰোপে এই বিষয়ে মৌন হৈ বহি আছে।"

"সভ্য য়ুৰোপ মৌন, কাৰণ য়ুৰোপো এই অপৰাধত সংশ্লিষ্ট। জাৰ্ম্মেনিক আৱশ্যকীয় টকা ধাৰে দি, কেচা মাল আৰু বাণিজ্য দ্ৰব্য চালান কৰি জাৰ্ম্মেনিৰ সমৰসজ্জা আৰু শক্তি সঞ্চয়ত সহায় কৰিছে আৰু ভীতিৰ শাসন দৃঢ়তৰ কৰি তুলিছে।

"সভ্য য়ুৰোপ দোষী, কাৰণ জাৰ্ম্মেনিৰ বৰ্ত্তমান শাসক সকলক জাতিসঙ্ঘ আৰু নিৰস্ত্ৰীকৰণ কনফাৰেন্সত যোগ দিবলৈ ফুচুলিয়াই মাতি তেওঁলোকৰ দোষবোৰলৈ আওকাণ কৰি সেইবোৰ সহ্য কৰিছে।"

শেষত এই সঙ্ঘই সকলোকে অনুৰোধ জনাই কৈছে—যিসকলে নিজৰ দেশক এনেকুৱা বৈপ্লৱিক শাসনৰপৰা ৰক্ষা কৰিব খুজিছে তেখেতসকলৰ ওচৰত আমি গোহাৰি জনাওঁ যেন তেখেতসকলেও নিৰীহ প্ৰজাসকলক তেনেকুৱা ভীষণ দুৰ্দ্দশৰপৰা উদ্ধাৰ কৰে।

"যাৰ প্ৰাণত সাহস আৰু স্বাধীনতা আছে তেখেত সকলক আমি অনুৰোধ জনাইছোঁ যাতে হাৰ হিটলাৰৰ বাহ্যিক আৰু গুপ্ত সকলো উৎপীড়নৰ বাবে গৰিহণা দিবলৈ তেখেতসকলে আমাৰ লগত সমানে যোগদান কৰে।"

আকাশীযান পৰিচালনাত মহিলা

ৰাছিয়াৰ বিমানপোতৰ বিশেষজ্ঞ মিঃ গ্ৰহভস্কিয়ে এই বুলি মত প্ৰকাশ কৰিছে যে ভাবী সমৰত লাহী আৰু ভাবপ্ৰৱণা ছোৱালীসকলে উচ্চতম শূন্যত আকাশীযানেৰে



মেডেমইছেলি মেৰিডি হিলড্জ। এই গৰাকী মহিলাই যোৱা ১৭ জুন তাৰিখে আকাশী যানেৰে ৩৮,৭১৫ ফুট ওখ আকাশলৈ উঠি পৃথিবীৰ ৰেকৰ্ড ভঙ্গ কৰিছে।

উৰি যুদ্ধ কৰিবলৈ মতামানুহতকৈ বেছি যোগ্যতৰ বুলি নিজকে প্ৰমাণিত কৰিব পাৰিব।

তেওঁ আৰু কৈছে—"তোমালোকে মাথোন তিৰোতা-সকলক বছেৰেকত দুমাহ আমোদৰ কাৰণে আৰু ছমাহ সন্তান জন্মৰ কাৰণে অৱসৰ মঞ্জুৰ কৰা তেতিয়া দেখিবা তিৰোতাসকলে পুৰুষতকৈ সকলো অৱস্থাতে বেছি পটু বিমানপোত চালক বুলি পৰিচয় দিব পাৰিব।"

বিশেষ পৰীক্ষা কৰি দেখা গৈছে যে ২৬,০০০ ফুটৰো ওখ পাতল বা অনিবিড় বায়ু মণ্ডলত (rarefied atmosphere) তিৰোতা সকলে নিৰ্ব্বিঘ্নে আকাশীযান চলাই লৈ ফুৰিব পাৰে। অথচ অম্লজন বায়ু সেবন যন্ত্ৰৰ বিনা সহায়ত সুনিপুণ পুৰুষ চালকেও ২১,০০০ ফুট ওখ শূন্যত আকাশী যান চলাবলৈ টান পায়। কিন্তু এই যন্ত্ৰ লৈ যুদ্ধ কৰিবলৈ অসুবিধা আছে; কিয়নো ই দৃষ্টি শক্তিত বাধা জন্মায়। মিঃ গ্ৰহভস্কিৰ মতে ভাবী সংগ্ৰাম আকাশৰ অতি উচ্চতম;



এই দুগৰাকী মহিলাই শিক্ষকৰ ডিপ্লোমা লাভ কৰিবৰ কাৰণে অলপতে বিলাতলৈ যাত্ৰা কৰিছে। (বাওঁ ফালে) লাহোৰৰ জাষ্টিছ লাল চাঁদৰ জীয়েক—মিছ এছ, ভাণ্ডাৰী। (সোঁফালে) লাহোৰ ছোৱালী হাইস্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট মিছ লীলাৱতী বেডাৰকাৰ এম-এছ-ছি।

বায়ু-মণ্ডলৰ মাজত লাগিব। সেইদেখি তাত আকাশী যানৰ গতি পৰিচালনা কৰি যুদ্ধ কৰিবলৈ তিৰোতাসকলহে বেছি উপযুক্ত হব।

মহিলা প্ৰফেছৰ

অলপতে ঢাকা বিশ্ববিদ্যালয়ে মিছ কৰুণা গুপ্ত এম-এক প্ৰফেছৰ নিযুক্ত কৰিছে। তেখেতে এই বিশ্ববিদ্যালয়ৰ-পৰাই অতি সুখ্যাতিৰে প্ৰথম শ্ৰেণীত এম-এ পৰীক্ষা পাছ কৰে। ভাৰতীয় বিশ্ববিদ্যালয় সমূহৰ ভিতৰত পুৰুষ অধ্যাপকৰ লগত একে শাৰীতে অধ্যাপনা কৰিবলৈ মিছ কৰুণা গুপ্তই সম্ভৱতঃ প্ৰথম মহিলা প্ৰফেছৰ। আজি কালি লৰা আৰু ছোৱালীয়ে একে লগে বহি শিক্ষা লাভ কৰাৰ যেতিয়া সুযোগ লাভ কৰিছে তেনেস্থলত মিছ গুপ্তক বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিবলৈ নিদিয়াৰ কোনো যুক্তি থাকিব নোৱাৰে।

তিৰোতা আৰু ঘৰুৱা কাম-বন

বিলাতৰ পাৰ্লেমেণ্টৰ মহিলা সদস্য মিছ ফ্লৰেন্স হোৱাইটে ঘৰুৱাহী কাম-বনৰ ব্যৱসায়টোক ওলপ ওখ স্থান দিবলৈ পাৰ্লেমেণ্টত এখন বিল দাঙি ধৰিব বুলি মত প্ৰকাশ কৰিছে।

তেওঁৰ মত হৈছে ছোৱালীবিলাক টাইপিষ্ট আৰু কেৰাণী হোৱাতকৈ ভাল ৰান্ধনী হোৱাটোহে বেছি ভাল। সেইদেখি তেওঁ ছোৱালীবিলাকক ৰান্ধনী হবলৈ বৰকৈ উৎসাহ দিয়ে। মিছ হোৱাইতেই প্ৰথমে "ইংৰাজ জাতিৰ ৰান্ধনী সংঘ" (English Folk Cookery Association) প্ৰতিষ্ঠা কৰে।

তেওঁ কৈছে যে কোনো কোনো শিক্ষয়িত্ৰীয়ে ছোৱালী-বিলাকে স্কুল এৰি গলে সিহঁতক ঘৰুৱাহী কাম কৰিবলৈ নিৰুৎসাহ কৰে। তেওঁলোকে এই ছোৱালীবিলাকৰ মাজত এনে এটা ধাৰণা সুমাই দিয়ে যে কেৱল যিবিলাক ছোৱালী বেছি চোকা নহয় আৰু যাৰ মাক-বাপেকে খণ্ডহেও আৰু টাইপ শিকিবলৈ খৰচ-পাতি দিব নোৱাৰে সিহঁতহে ঘৰৰ কাম-বন কৰিবলৈ বাধ্য হয়। মিছ হোৱাইটৰ মতে গৃহস্থালী কাম-বন কেৱল মূৰ্খৰ কাৰণে নহয়। ইয়াৰ কাৰণে চোকা বুধিয়ক লোকৰো বিশেষ আৱশ্যক।

সম্পাদকীয়

তেজপুৰত বঙালী স্কুল

অসম এখন দুখীয়া প্ৰদেশ। ইয়াত আজিলৈকে আৱশ্যকতাৰ অনুপাতে শিক্ষাৰ ব্যৱস্থা বিশেষ একোয়েই হৈ উঠা নাই। আন বিশেষ শিক্ষাৰ ব্যৱস্থাৰ কথাকে নকওঁ, এতিয়ালৈকে সাধাৰণ শিক্ষাৰ বাবেই কলেজ আৰু স্কুলৰ অভাবেই আঁতৰা নাই। অসম উপত্যকাত ছোৱালীৰ কলেজ এটিৰতো আৱশ্যক আছেই, লৰাৰ কলেজৰো আৰু যে আৱশ্যক তাক কোনে অস্বীকাৰ কৰিব? আজি ৰাইজৰ চেষ্টাত বহু ঠাইত বহু স্কুল পতা হৈছে; কিন্তু এতিয়াও এনে বহু ঠাই আছে য'ত ৰাইজে চেষ্টা কৰিও কৃতকাৰ্য্য হব পৰা নাই—গৱৰ্ণমেণ্টৰ সাহায্য অপৰিহাৰ্য্য। এনে অৱস্থাতো গৱৰ্ণমেণ্টে ধনৰ নাটনি দেখুৱাই দেশৰ শিক্ষা বিষয়ত আশানুৰূপ সহায় কৰিব পৰা নাই। তথাপি আনফালে দেখা যায়, ছৰকাৰৰ সাহায্যত স্কুলৰ কোনো অভাব নোহোৱা তেজপুৰ হেন ঠাইত বঙালী ভাষাভাষী জনচেৰেক ছাতৰৰ বাবে এটি সুকীয়া স্কুল স্থাপনৰ দিহা চলিছে। এনে দিহা, শিক্ষাৰ ব্যৱস্থাৰ অভাব থকা অসমৰ কথাই নাই তেনে অভাব নথকা আন প্ৰদেশতে কোনো বিদেশী ভাষাভাষীৰ বাবে গৱৰ্ণমেণ্টে কৰা দেখা নাযায়। এনে স্থলত তেজপুৰত হবলৈ ধৰা ব্যৱস্থাই অসমৰ জনসাধাৰণৰ শিক্ষাৰ বাটত যে বিঘিনি জন্মাব তাত কোনো সন্দেহ নাই। অসমীয়া জাতিৰ প্ৰতি এনে অবিচাৰ আৰু অন্যায়মূলক এই দিহা অসমৰ গৱৰ্ণমেণ্টৰ সহযোগিতাত হবলৈ ওলোৱাৰ কাৰণ ৰহস্যজনক।

এফালে অসম গৱৰ্ণমেণ্টৰ অসমীয়া জনসাধাৰণৰ স্বাৰ্থলৈ অৱজ্ঞা আৰু অসম প্ৰবাসী বঙালীসকলৈ প্ৰীতিৰ হেতু যেনে ৰহস্যজনক, আনফালে অসমত বঙালীৰ সংখ্যাৰ প্ৰাধান্য যোৱা ছেন্সাছ ৰিপোৰ্টত যি দেখুৱা হৈছে সিও তেনে ৰহস্যজনক। অসমত যি সকলক বঙাল বুলি কোৱা হয় সেই সকলোখিনি অকল বঙ্গদেশৰে মানুহ নহয়। অসমত মাদ্ৰাজী, উৰিয়া, চাওতাল আদি সকলোকে বঙাল আখ্যা দিয়া হয়—বঙাল মানে সাধাৰণতঃ বিদেশী এই অৰ্থত। অসমত বাস কৰা বঙালীসকলৰ বাহিৰে এইবিলাক মানুহে কেতিয়াও বঙালী নকয় বৰং বহুতে অসমীয়াহে কয়। আকৌ ময়মনছিঙৰ-পৰা অহা মুছলমানসকল বঙালী হলেও তেওঁলোকৰ কোৱা ভাষাৰ লগত বৰ্ত্তমান বঙালী ভাষাৰ বিশেষ সম্বন্ধ একো নাই। তেওঁলোকৰ কোৱা ভাষাৰ মিল বঙালীৰ লগত যিমান অসমীয়াৰ লগতো তিমানেই। সেইদেখিহে বোধকৰোঁ অসমলৈ অহা মৈমনছিঙীয়াসকলে ইয়াৰ ভিতৰতে বহুতে অসমীয়া মাত মাতি, লৰা-ছোৱালীক অসমীয়া স্কুলত পঢ়াই অসমীয়া সমাজত জাহ যাবলৈ ওলাইছে। ই সুখৰ কথা সন্দেহ নাই। কিন্তু প্ৰবসুৱা আন বঙালীসকল ইয়াত সন্তুষ্ট নহয়। তেওঁলোকে বিচাৰে যাতে এই মৈমনছিঙীয়াসকলে অসমীয়া নামাতি, অসমীয়া নিশিকি বঙালী হৈয়ে থাকি বঙলুৱা প্ৰতিপত্তি অসমত বঢ়াই তুলিব পাৰে। কিন্তু তেওঁলোকৰ শত চেষ্টাতো ইয়াৰ ভিতৰতে মুখিয়াল মৈমনছিঙীয়া কেবাজনেও অসমীয়াৰ লগত তেওঁলোকৰ স্বাৰ্থ স্বীকাৰ কৰাত বঙালী সকলৰ সেই অমূলক আন্দোলনৰ দুৰ্ব্বলতা বাঢ়ি আহিছে। ইফালে শ্ৰীহট্টৰ মানুহৰ ভাষা যে কি তাক তাহানিয়েই এবাৰ ৰাজখোৱা ভাঙৰীয়াই বুজাই দিছিল। এতিয়া বেজবৰুৱা ডাঙৰীয়ায়ো নিজে ঘাটি চোৱাৰ বাহিৰেও ভাষাবিদ ডক্তৰ কাকতিদেৱৰ গৱেষণালৈ বাট চাইছে। এনে এটা গৱেষণা কৰি স্থিৰ কৰিবলগীয়া ভাষা যিসকলৰ সেই সকলৰ বঙালী ভাষালৈ প্ৰীতিৰ একমাত্ৰ যুক্তি হব পাৰে যে বৰ্ত্তমান বঙালী ভাষা এটি চহকী ভাষা। সি যিয়ে

হ'ক, বাকী যি দুই চাবিজন আছল বঙালী আছে তেওঁলোকে ডমিছাইল্ড শব্দটোৰ সংজ্ঞা বিচৰাত ব্যস্ত হলেও এই দেশতে চাকৰি কৰিব নাইবা উকীল, কণ্ট্রেক্টৰ, দোকানী-পোছাৰী হৈ থাকিব। তেওঁলোকে বাধ্য হৈ এই দেশৰ ভাষাকে শিকিব লাগিব। এই দেশৰ ভাষা নিশিকিলে, তেওঁলোকৰ নচলিব। বঙালী ভাষা অসমত জীৱন যুদ্ধৰ বাবে তেওঁলোকৰ কোনো আৱশ্যক নকৰে। তথাপি তেওঁলোকে সুকীয়া বঙালী স্কুল বিচৰাটো অসম দেশগনক বঙ্গদেশৰ ভাষা-সভ্যতাবে জয় কৰিবলৈ কৰা অমূলক কল্পনা প্ৰসূত দুৰাশা মাত্ৰোন। অসমত সুকীয়া বিশ্ব-বিদ্যালয়ৰ আন্দোলনৰ লগে লগে বঙালীসকলে এনে অপচেষ্টা চলোৱাৰ আন উদ্দেশ্য এই প্ৰস্তাৱিত অসম বিশ্ব-বিদ্যালয় আৰু অসমীয়া জাতিৰ আত্মপ্ৰতিষ্ঠাৰ শক্তি পঙ্গু কৰা।

যিহ'ক তথাপি যদি তেনে ধৰণৰ বেলেগ স্কুলৰ আৱশ্যক তেনেহলে নিজ নিজ ধনেৰে পাতি থাকক তাত কাৰো আপত্তি নাথাকিব। কলিকতাত ওজৰাটী, মাৰোৱাৰী, এঙ্লো-তামিল আদি নানা স্কুল আছে। গৱৰ্ণমেণ্টে সেইবিলাকৰ খৰচ বহন কৰা কথা আমি নাগানো। অসম গৱৰ্ণমেণ্টৰ সহায়ত যদি এনে ব্যৱস্থা হয় তেনেহলে শিক্ষাৰ টকাৰ অপব্যয় গৱৰ্ণমেণ্টৰ হাতত ছোৱা বুলি অসমীয়া জনসাধাৰণৰ অসন্তোষৰ সীমা নাইকিয়া হব। লগে লগে দেশৰ গৱৰ্ণমেণ্টৰ প্ৰতি অসমীয়া মানুহৰ কি ভাব বদ্ধমূল হব পাৰে তাক গোটেই অসমজুৰি প্ৰতিবাদৰ দি ঢৌ উঠিছে তাকে লক্ষ্য কৰিলেই বুজিবলৈ টান নহব। তাৰ বাহিৰেও তেজপুৰত বেলেগ বঙালী স্কুল গৱৰ্ণমেণ্টৰ সহায়ত স্থাপিত হলে অসম প্ৰবাসী উৰিয়া, নেপালী আদি আন আন মানুহেও তেওঁলোকৰ নিজ ভাষাত লৰা-ছোৱালী শিকাবৰ বাবে স্কুলৰ দাবী উপস্থিত কৰা অসম্ভৱ একো নহয়।

অসমৰ অসমীয়া মানুহৰ স্বাৰ্থৰ প্ৰতি লক্ষ্যহীন অসম গৱৰ্ণমেণ্টৰ এনেবিলাক কাৰ্য্যই আমাক ভাবিবলৈ বাধ্য কৰাইছে—ইমান দিনে অসম গৱৰ্ণমেণ্টে অসমীয়া মানুহৰ স্বাৰ্থক আগ ঠাই দি অহা যি দেখা গৈছিল সেই নীতি আৰু অসম গৱৰ্ণমেণ্টৰ এতিয়া নাই—তাৰ পৰিবৰ্ত্তে অসম দেশত অসমীয়াৰ স্বাৰ্থৰ অৱজ্ঞা দেখুৱাই অসম প্ৰবাসী বিদেশী, বিশেষকৈ বঙালীৰ স্বাৰ্থলৈ লক্ষ্য বঢ়াইছে যেন গৱৰ্ণমেণ্ট ব্যস্ত—এনে আশঙ্কা অসমীয়া মানুহৰ মনত হৈছে। অসমীয়া জাতি বৃটিছৰ তলত হলেও বঙালীৰ হেচা এনেদৰে অনুভৱ কৰাত বৃটিছৰ শাসনৰ পৰাৰ আঁবালত আছুলতে কিবা বঙালী ৰাজত্বৰ গোন্ধহে বেছিকৈ পাব লাগিছে। ই বৃটিছ গৱৰ্ণমেণ্টলৈ খাতিনে অখ্যাতিৰ কথা তাক তেওঁলোকেই ভাবি চাব। আমি দেখাত গৱৰ্ণমেণ্টে ইমান দিনে মানি অহা 'অসম অসমীয়াৰ বাবে'—এই নীতিৰ বান্ধ এতিয়া একেবাৰে ঢিলা পৰি আছিছে। কোনো বিদেশীয়ে আনৰ প্ৰদেশত সেই প্ৰদেশবাসীসকলৰ দৰে সমান স্বত্ব উপভোগ কৰিব নোৱাৰে—এনেকি সেই বিদেশীসকল স্থায়ী বাসিন্দা হৈ গলেও দেশৰ ভাষা সাধনাক ধ্বংস কৰিবলৈ বা তাত বিধিনি জন্মাবলৈ নিজ ভাষা সাধনা চলোৱাৰ সুবিধা পাব নোৱাৰে।

আমি আশাকৰো অসমীয়া জাতিৰ এনে দুৰ্গাৰ প্ৰতিবাদলৈ লক্ষ্য কৰি গৱৰ্ণমেণ্টে তেজপুৰত বঙালী স্কুল দিব নোৱাৰে।

অসমৰ শিক্ষা-মন্ত্ৰীৰ অসমীয়া জাতীয়তাৰ প্ৰতিকুলাচৰণ

মোৱা বহুবাৰ শিক্ষা-মন্ত্ৰী মৌলবী আবদুল হামিদ ডাঙৰীয়া গোৱালপাৰা জিলালৈ যাওঁতে তাৰ কিছুমান ঠাইৰ স্কুলত বঙালী পঢ়াবলৈ ব্যৱস্থা দি আছিছে। ছিলচৌয়া বঙালী মন্ত্ৰী ডাঙৰীয়াই কি যুক্তিৰ বলত গোৱালপাৰা হেন অসমৰ ঠাইত, গোৱালপৰীয়া হেন অসমীয়া মানুহৰ মাজত বঙালী মাত চলাব বুজিছে আমি তাৰ বুজ পোৱা নাই! শুনিবলৈ পাইছোঁ লক্ষ্মীপুৰতো বেলেগ মন্ত্ৰী ডাঙৰীয়াই বঙালী পঢ়াবৰ দিহা দি আছিছে। মোৱা বাহুল্য লক্ষ্মীপুৰৰ গাৰলীয়াসকলৰ তো কথাই নাই, এনেকি জমিদাৰ সকলবো দেখোন প্ৰায় প্ৰতিজনৰেই অসমীয়া ভাষা-সাহিত্যলৈ অনুৰাগৰ নিদৰ্শন ফটফটীয়া কৈ ওলাই আছে। লক্ষ্মীপুৰৰ প্ৰায় প্ৰতিজন জমিদাৰেই দেখোন অসমীয়া সাহিত্য অকল চৰ্চ্চা কৰিছেই এবা নাই—তাত লব্ধপ্ৰতিষ্ঠ হৈ বৈছে। তেনে স্থলতো মন্ত্ৰী ডাঙৰীয়াই এনে অবাধ বঙালী লীলা চলাবলৈ সুবিধা কেনেকৈ পালে আমি নাজানোঁ। আমি সন্দেহ কৰিবলৈ বাধ্য হৈছোঁ যে তেখেতে পৰিদৰ্শন কৰিবলৈ আহোতে কোনো বঙ্গ প্ৰেমিকৰ বড়মমতত তেখেতৰ আগত তেনে মনোৱাঞ্ছিত দুই এজন গোট খুৱাই এই নতুন ব্যৱস্থাৰ সূত্ৰপাত কৰোৱা হৈছে।

শিক্ষা বিভাগৰ ওপৰিয়ালসকলে এটা কথালৈ মন কৰিব বুলি আশা কৰিলোঁ। বঙালীৰ কুচক্ৰত গোৱালপাৰাত সবহ দিন বঙালী চলা বাবে তাত এতিয়াও আশৈশৱ বঙালী পঢ়া বা বঙালীৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত বা তেওঁলোকৰ কাৰোবাৰ দ্বাৰা সংগৃহীত দুই এজন মানুহ দেখা পোৱা যাব পাৰে; কিন্তু তেওঁলোকৰ কথাকে যণ্ডেই বুলি মানি নলৈ স্থানীয় ভাষালৈ—বিশেষ লক্ষ্য ৰাখিহে যেন বিহিত ব্যৱস্থা কৰা হয়। নহলে গোৱালপৰীয়া জনসাধাৰণৰ ক্ষতিৰ সীমা নাথাকিব। গোৱালপৰীয়া মানুহৰ ক্ষতিৰ লগত অসমীয়া জাতিৰ ক্ষতিৰ কথা কোনে অস্বীকাৰ কৰিব? শিক্ষা বিভাগৰ এনে কাৰ্য্যৰ দ্বাৰাই এই জিলাখনৰ শিক্ষাত বিভাট ঘটোৱা হব লাগিছে।

বঙালী স্বাৰ্থলৈ লক্ষ্য কৰি এনেদৰে বঙালী ভাষাৰে শিক্ষা দিয়া এই লৰাবিলাকৰ গতি যে কি হব কোনে জানে। ভাবি চোৱা উচিত তেওঁলোকে অসমত থাকি চাকৰি বা ব্যৱসায় কৰি খাব লাগিলে বঙলা শিকাবপৰা একো লাভ নাই। বঙ্গ দেশলৈ গৈ গোৱালপাৰাৰ মানুহে উপাৰ্জ্জন কৰি খোৱাৰ আশা বৰ কম। তেনে সুবিধা থাকিলে বঙ্গ দেশৰপৰা জাকে জাকে বঙালী মানুহ আহি অসম ভৰি নপৰিলহেতেন। কলিকতা আদি ঠাইত কোনোবাই কিবা সুবিধা কৰি ললেও বঙালী ভাষাৰ প্ৰয়োজন তাত বেছি একো নাই। অফিছৰ চাকৰিত ইংৰাজীৰ আৱশ্যক। আন ব্যৱসায়ত বঙালীৰ একো আৱশ্যক নাই—আৱশ্যক হিন্দীৰহে বেছি। বঙলাৰ ৰাজধানীতে বঙলা এটা কিতাপত থকা ভাষাৰ দৰেহে

আছে। কলিকতাত বঙলাৰ পৰিবৰ্ত্তে হিন্দী হলেই বেছি সুবিধা। আৰু সেই বুলিয়েই বোধকৰোঁ কলিকতাত থকা মাৰোৱাৰী, গুজৰাটী, এঙ্লো-তামিল আদি স্কুল-বিলাকত হিন্দী ভাষাকে শিক্ষাৰ বাহন কৰা হৈছে।

অসম দেশত অসমীয়া লৰাইতক তেনে অৱস্থাত নিজ ভাষাৰ সোৰাদ পাবলৈ নিদি বিজতৰীয়া, জীৱন যুদ্ধৰ কামত লগাই বঙালী ভাষা শিকোৱাৰ ষড়যন্ত্ৰেৰে অসমত বঙালী স্বাৰ্থ কিবা সুবিধা হব পাৰে; কিন্তু লৰাইতৰ ভবিষ্যত নষ্ট কৰাৰ বাহিৰে আন একো হোৱা নাই।

অসম গৱৰ্ণৰ ছাৰ লেইনিৰ অবাঞ্ছিত উক্তি—

অসম কাউন্সিৰৰ ছেষ্টেম্বৰ অধিবেশনত অস্থায়ী গৱৰ্ণৰ ছাৰ এব্ৰাহিম লেইনিয়ে তেওঁৰ বক্তৃতাৰ ভিতৰত অসমৰ অতীত আৰু বৰ্ত্তমানৰ উল্লেখ কৰি আত্মপ্ৰসাদ লাভ কৰিছিল। তেওঁৰ বক্তৃতাৰ সেই কেইটি কথাত আমাৰ লাভ লোকছান একো নাথাকিলেও তেওঁ উপত্যকা বিদেশ এৰি একতাসূত্ৰত আৱদ্ধ হবলৈ আহ্বান কৰি অসমৰ হিত চিন্তা কৰা বিষয়ে প্ৰতিজন দেশৰ বিষয়ে চিন্তা কৰা অসমীয়াৰ মন ক্ষুব্ধ কৰি তুলিছে। আজি অনেক বছৰ ধৰি ছিলেটৰ লগত অসমৰ অমিলৰ কথা গৱৰ্ণমেণ্টে জানি আছিছে। আৰু সেই অমিল যোৱা কেবছৰ মানৰপৰা, তেল-পানীৰ দৰে ফটফটীয়া হৈ গৱৰ্ণমেণ্টৰ আগতে ওলাই পৰিছে। তথাপি প্ৰতি বছৰ কাউন্সিলৰ অধিবেশনৰ সময়ত গৱৰ্ণৰসকলে সেই একে দৰে একতাসূত্ৰে আৱদ্ধ হবলৈ আহ্বান কৰি অহাটো অসমীয়া জাতিলৈ এটি অদ্ভূত পৰিহাসৰ দৰে কথা হৈ পৰিছে। আজি অসমীয়া মানুহে বুজি পাবলৈ বাকী নাই যে গৱৰ্ণমেণ্টে অসমীয়া মানুহক ছিলেটীসকলৰ লগত মিলি থাকিবলৈ কোৱাতকৈ অসমৰ পক্ষে আন ডাঙৰ ক্ষতিৰ বিষয় নাইবা আশঙ্কিৰ কথা একোৱেই হব নোৱাৰে। এনে আহ্বানত উক্তিৰ পৰিবৰ্ত্তে অসমৰ গৱৰ্ণমেণ্টৰ মুখত ছিলেটৰ দুৰ্গহ বোজা অসমবপৰা ভবিষ্যতে আঁতৰোৱাৰ আশাৰ বাণী শুনিবলৈহে অসমীয়া মানুহ উৎসুক আৰু আকুল হৈ থাকে।

অসমীয়া শিশু-গায়িকা

তেজপুৰৰ শ্ৰীযুত চন্দ্ৰহাস বৰকাৰ নাতিনী আৰু শ্ৰীযুত প্ৰবোধচন্দ্ৰ বৰুৱাৰ ছ বছৰীয়া জীয়েক শ্ৰীমতী সাধনা বৰুৱাই (অগনী) অলপতে কলিকতালৈ আহি ছেনলা গ্ৰামোফন কোম্পানিত ৰেকৰ্ডত গান দি গৈছে। আমি জানি অতিশয় পৰিতোষ লাভ কৰিছোঁ যে ভাৰতীয় কোনো ছোৱালীয়ে ইমান কোমল বয়সতে ৰেকৰ্ডত গান দিয়া নাই। শ্ৰীমতী সাধনাই এই সুনাম অৰ্জ্জন কৰি নিজে প্ৰশংসাৰ পাত্ৰ হোৱাৰ লগে লগে অসমীয়াকো গৌৰান্বিত কৰিছে। যিসকলৰ উৎসাহ, চেষ্টা আৰু শিক্ষাত শ্ৰীমতী সাধনাই সঙ্গীত বিষয়ত নিপুণতা লাভ



অসমীয়া শিশু-গায়িকা শ্ৰীমতী সাধনা বৰুৱা (অগনী)

কৰি ইমান দূৰ আগ বাঢ়িব পাৰিছে সেই অভিভাৱক সকল আৰু সঙ্গীত শিক্ষক শ্ৰীযুত বিষ্ণুপ্ৰসাদ বাভা ডাঙৰীয়া প্ৰশংসাৰ যোগ্য। আশাকৰোঁ এনেত সকলৰ পৰিশ্ৰমত শ্ৰীমতী সাধনা বৰুৱাই সঙ্গীত জগতত আৰু নিপুণতা আৰু সুনাম অৰ্জ্জন কৰি অসমীয়াৰ গৌৰৱ বঢ়াব।

"অসম" কাকতৰ বিৰুদ্ধাচৰণ

তেজপুৰত বঙালী হাইস্কুল পতা সম্বন্ধে অসমৰ শিক্ষা বিভাগে তথা অসম গৱৰ্ণমেণ্টে যি প্ৰস্তাৱ হাতত লব দিছে ইয়াৰ বিৰুদ্ধে অসমৰ ঠাইে ঠাইে সকলো সম্প্ৰদায়ৰ লোকে প্ৰতিবাদ সভা পাতি প্ৰস্তাৱ গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও অসম ভেলিৰ আটাই কেইখন সংবাদ পত্ৰই অসমৰ গণ্যমান্য বঙালীসকলৰ আৰু গৱৰ্ণমেণ্টৰ এই কাৰ্য্যৰ প্ৰতিবাদ মন্তব্য প্ৰকাশ কৰিছে। কিন্তু বৰ পৰিতাপৰ কথা যে মোৱহাটৰ ডহ কোম্পানিবপৰা ওলোৱা "অসম" কাকতে এই প্ৰস্তাৱ সমৰ্থন কৰিছে,—আৰু তাকো সত্য, ন্যায় আৰু যুক্তিপূৰ্ণ প্ৰমাণ আদি অৱলম্বন কৰি নহয়, কিছুমান অযুক্তিকৰ, অন্যায় আৰু ভ্ৰান্ত প্ৰমাণ দাঙি ধৰি। উদাহৰণ স্বৰূপে কবলৈ গলে তেজপুৰ হাইস্কুলত ৩৫০ জন বঙালী ছাত্ৰ আৰু ৮ জন বঙালী শিক্ষক থকা কথাটোৱেই। "অসম" কাকতৰ সম্পাদকে এই ভ্ৰান্ত আৰু অসত্য খবৰ কেনেকৈ আৰু কাৰণবা সংগ্ৰহ কৰিছে আমি নাজানো। কিন্তু যিহেই উক্ত কাকতৰ মন্তব্যিনি অলপ দকৈ পঢ়ি চাইছে সিহেই বেজাৰেৰে হলেও কবলৈ বাধ্য হৈছে যে কোনোবা তৃতীয় পক্ষৰ স্বাৰ্থ পৰিপুৰণৰ কাৰণে "অসম" সম্পাদকে তেনে অমূলক আৰু অসত্য সংবাদৰ আশ্ৰয় গ্ৰহণ কৰিবলৈ প্ৰয়াস পাইছে। যদি কথা সঁচা হয় তেন্তে ইয়াতকৈ আৰু বেছি দেশদ্ৰোহ কোনোবাই আচৰণ কৰিব পাৰেনে? বিদেশী ভাষাৰ কবাল গ্ৰাসৰপৰা অসমীয়া ভাষা উদ্ধাৰ হোৱা আজি ডেৰ কুৰি বছৰৰ অধিক হোৱা নাই। আমাৰ ভাষাই ভালকৈ ঠন ধৰি উঠিবলৈ নৌ পাওঁতেই ইয়াৰ লগতে যদি পুনৰ বঙালী ভাষা চৰ্চ্চা কৰিবলৈ সুযোগ দিয়া হয় তেনে ভবিষ্যত অসমীয়া ভাষা বিপন্ন হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা। যি সকলে ভবিষ্যত এইবোৰ নাভাবি নিচিন্তি অন্ধৰ দৰে তেজপুৰত তথা অসম ভেলিত বঙালী হাইস্কুল স্থাপন কৰা সমৰ্থন কৰে তেওঁলোকে মানক অসম আক্ৰমণ কৰিবলৈ নিমন্ত্ৰণ কৰি অনাৰ নিচিনা নহবনে? এই বিষয়ে গভীৰভাৱে ভাবি চাবলৈ "অসমৰ" সম্পাদকক আমি অনুৰোধ কৰিলোঁ।

আৰু এটা কথা। "অসমৰ" "প্ৰতিষ্ঠাপক আৰু প্ৰধান

পৰিচালক" ৰায় বাহাদুৰ বাধাকান্ত সন্দিকৈ ডাঙৰীয়াই "অসম" সম্পাদকৰ এই মন্তব্য কেনে ধৰণে গ্ৰহণ কৰিছে আমি নাজানো। অসমীয়া ভাষা আৰু কৃষ্টিৰ উৎকৰ্ষ সাধনৰ বাবে মুক্তহস্তে দান কৰা দানবীৰ সন্দিকৈ ডাঙৰীয়াই এনে এটা জাতীয় পৰিপন্থী প্ৰস্তাৱ সমৰ্থন কৰে বুলি আমি কোনোমতেই ভাবিব নোৱাৰোঁ। আশাকৰোঁ সন্দিকৈ ডাঙৰীয়াই নিজৰ মন্তব্য প্ৰকাশ কৰি উৎকণ্ঠিত হৈ থকা বাইজৰ মনত শান্তি দিব।

তৰুণ অসমীয়া শিল্পী

ডিব্ৰুগৰ গভৰ্ণমেণ্ট হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ শ্ৰীমান তৰুণচন্দ্ৰ দুৱৰাই নিচেই কোমল বয়সতে সুন্দৰ ছবি আঁকি বিশেষ সুখ্যাতি লাভ কৰিছে। বৰ্ত্তমান তেওঁৰ বয়স মাথোন ১৪ বছৰ। শ্ৰীমান দুৱৰাই এতিয়ালৈকে প্ৰতিযোগিতাবিলাকত ছবি আঁকি কেবা ঠাইবপৰাও



অসমীয়া তৰুণ শিল্পী শ্ৰীমান তৰুণ চন্দ্ৰ দুৱৰা।

পুৰস্কাৰ পাইছে। এই কুমলীয়া বয়সতে ১৯২৯ চনত ডিব্ৰুগৰ শিল্পী ভৰালবপৰা ছহ পেইণ্টিঙত প্ৰথম পুৰস্কাৰ, ১৯৩০ চনত কলিকতা য়ুনিভাৰ্চিটি ইনষ্টিটিউট প্ৰদৰ্শনীত প্ৰথম সোণৰ পদক আৰু কপাহেৰে ছবি তুলি সেই একে বছৰতে ডিব্ৰুগৰ প্ৰফুল্ল জয়ন্তীত প্ৰথম ৰূপৰ পদক লাভ কৰা কম গৌৰৱৰ কথা নহয়। ইয়াৰ উপৰিও তেওঁ নানা ঠাইবপৰা অন্যান্য বহু আৰু প্ৰশংসা পত্ৰও লাভ কৰিছে। তেওঁ বৰ্ত্তমান ডিব্ৰুগৰ নাট্য মন্দিৰৰো এজন নিপুণ পট আঁকোতা। আমি এই তৰুণ অসমীয়া শিল্পীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰোঁ।

যোৰহাট কলেজত সহশিক্ষা (co-education)

যোৰহাট কলেজৰ কৰ্ত্তৃপক্ষই উক্ত কলেজত শিক্ষাৰিনী ছাত্ৰীনকলৰ নিমিত্তে ঠাই কৰি দি প্ৰদেশৰ এটা ডাঙৰ কাম কৰিলে। ইয়াৰ দ্বাৰা নাৰীশিক্ষাৰ বাট যে বহুল হব তাক কোৱা বাহুল্য মাথোন। আমাৰ ভৈয়ামত ছোৱালীৰ নিমিত্তে কোনো সুকীয়া কলেজ নাই। ছোৱালীসকলৰ বাবে এই ব্যৱস্থা কৰি দিয়াৰ নিমিত্তে আমি কলেজৰ কৰ্ত্তৃপক্ষক শলাগিছোঁ।

কালা-আজাৰৰ উৎপত্তি ঠাই

কালা-আজাৰ যে কেনে সাঙ্ঘাতিক ব্যাধি তাক আজি নতুনকৈ কবৰ দৰকাৰ নকৰে। ইমান দিনলৈকে সাধাৰণৰ বিশ্বাস আছিল, বিশেষকৈ বঙালী চিকিৎসক সকলৰ মুখে মুখে প্ৰকাশ হৈছিল এই কালা-আজাৰ নামৰ ভীষণ বেমাৰটোৰ আদি উৎপত্তি ঠাই অসম। বিশেষকৈ গাৰো পৰ্ব্বতে এই সুনামটো অৰ্জ্জন কৰিছিল সকলোতকৈ বেছি। তাৰ প্ৰধান কাৰণ বোধকৰো এই ৰোগৰ যি নাম সেইটো গুৱালপৰীয়া ভাষাৰ। কালা মানে কলা (black) আৰু আজাৰ (নাপাৰা বা বেমাৰ) অৰ্থ হল নৰিয়া (desease)। একালত এই বিষম বেমাৰটে স্থায়ীৰূপে তাৰ ধ্বংসলীলা আত্মপ্ৰকাশ কৰিছিল গাৰো পৰ্ব্বতৰ নামনিৰ ঠাই ডোখৰত, যাৰপৰা তাৰ পুৰণি নাম লোপ পাই এই নতুন নাম ধাৰণ কৰিছে। ঠিক তেনেকৈয়ে এই বেমাৰৰ আন এটা নাম বৰ্দ্ধমান জ্বৰ (Burdwan fever), যদিও এই সংহাৰকাৰী বেমাৰৰ উৎপত্তিৰ আদি ঠাই বঙ্গদেশৰ জশোৰৰ (Jessore) জিলাত। জশোৰেৰো ইয়াৰ প্ৰকৃত উৎপত্তিৰ ঠাই নহয় বোলে। সেই কালত আফ্ৰিকাৰ লগত ব্যবসা-বাণিজ্য কৰা কাৰবাৰী মানুহৰ দ্বাৰা উক্ত জিলাত এই জ্বৰ আমদানি হৈছিল বুলি অনুমান কৰে।

কালা-আজাৰ ১৮৩৫ খৃঃ অত অর্থাৎ এক শতাব্দীৰ আগতে টুইনিং (Twining) ছাহাবে পহিলা আবিষ্কাৰ কৰিছিল। সি যিয়ে নহওক, মিমানবিনিলেকে ইয়াৰ ইতিহাস বা ইতিবৃত্ত জানিবলৈ গৈছে, তাতে বঙ্গদেশৰ জলোহৰ জিলাকে ভাৰতৰ ভিতৰত কালা-আজাৰৰ জন্মস্থান বুলি ঠিক কৰা হৈছে। তাৰপৰা ১৮৫৪ খৃঃ অতো এই মাৰাত্মক ব্যাধি (বৰ্দ্ধমান ফিভাৰ) বৰ্দ্ধমানলৈকে বিয়পি পৰে। ১৮৭২ খৃঃত বংপুৰ, দিনাজপুৰ কৰি ক্ৰমে অসম উপত্যকালৈকে সংক্ৰামিত হৈ যায়।

তল অসম বহু বছৰলৈকে ভালে আছিল ; কিন্তু ১৯১৩ খৃঃত শিৰসাগৰ জিলালৈকে এই বৰ্দ্ধমান-জৰ অর্থাৎ কালা আজাৰ পাওগৈ। বৰ্ত্তমানে এই বেমাৰ ভাৰত, ইয়ং-ছি-কিয়াং উপত্যকা (চীন), সুদান, ভূমধ্য সাগৰৰ পাৰ, ইজিপ্ট, আমেৰিকা প্ৰভৃতি প্ৰায় পৃথিবী বিয়পি পৰিছে।

৫২৮-৩/অ:

এই সম্বন্ধে শ্ৰীযুত দীৰেন্দ্ৰনাথ বানাৰ্জ্জী, এম্. বি, (কলি) এম্. ডিঃ (বাৰ্লিন)এ তেওঁৰ লিখিত আৰু প্ৰকাশিত ৰোগতত্ত্ব (Pathology) কিতাপত উল্লিখিত বিষয় সমূহ যি লিখিছে তাক পাঠকৰ জ্ঞাতাৰ্থে তলত তুলি দিয়া হ'ল।

Kala-Azar

History of the Disease :—In 1835, Twining observed Cancrum oris. In 1854 Burdwan fever spread from Jessore to the whole of Burdwan. In 1872 it spread along Rangpur, Dinajpur to Assam valley. In 1913, Sibsagar was reached. After this it became indemic in the whole of Assam.

In 1882, a definite clinical description of the disease was given by Clarke. In 1903, Leish-man discovered the parasite in the spleen of a soldier at Dumdum. Donovan also found it in the same year in Madras. Hence it is called the Leishman Donovan body. Antimony treatment was started in Italy in 1915. Kala-azar has probably been brought from Africa by traders to Bengal. Distribution :— India, Yang-set-kiang valley in China, Sudan, coasts of the Mediterranian sea. Other forms of Leishmaniasis—Tropical sore in the Punjab, Egypt, Palestine, America. In Bengal—24 Perganas, Jessore, Rangpur, Mymensing are highly endemic, Burdwan, Bankura, less.

Incidence :—In 1920 Sur found in every village on average number of infected persons to be 2 ; there are 25000 villages in Bengal, so, 50000 persons are affected, Stewart believes in the presence of 200000—500000 cases in Bengal.

Transmission :—Prevention—Difficult as the victor is not known. Sandfly is suspected. However following measures may be adopted :—(1) K. A. dispensary, free distribution of medicines and injections, (2) Isolation of the cases, (3) Disinfection of the excreta of the cases. (4) Clearing away of the jungles, filling up of low-lying lands.(5) Personal prophylaxis. Vide—chapter XX of Text Book of Pathology. Page 274. (Third edition).

By

Dhirendra Nath Banerjee,
M. B. (cal,) M.D. (Barlin)

শুধৰণি

এই সংখ্যা "আৱাহন" ৰ লৰালৰিকৈ উলিয়াব লগা হোৱাত দহ ফৰ্ম্মাটোত পৃষ্ঠাৰ নম্বৰ দিওঁতে প্ৰেছত ভুল হৈ গল। সেই কাৰণে পাঠক পাঠিকা সকলে সেই ফৰ্ম্মাৰ ১০০১ৰ পৰা ১৩০৮ পৃষ্ঠাৰ সলনি ১২৮১ৰ পৰা ১২৮৮ পৃষ্ঠা বুলি অনুগ্ৰহ কৰি ধৰি লব।

যোৱা ১০ম সংখ্যা "আৱাহন"ত "ছিলন মেলেৰীয়া" প্ৰবন্ধৰ লিখক শ্ৰীযুত শৰৎচন্দ্ৰ বৰুৱাৰ নামৰ শেষত এম-বি উপাধি ভুলকৈ প্ৰকাশ হোৱাত আমি দুঃখিত।

১৫, জগন্নাথ দত্ত লেন কলিকতা, লক্ষ্মীবিলাস প্ৰেছ লিঃ। ডাঃ দীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

৫২৮৪/অা:
১১.৮.৯৯

আৱাহন



পুৰুষীয় সৌন্দৰ্য্য

জুবেল আফ্ ইণ্ডিয়া প্ৰেছ কলিকতা

ASAM SAHITYA SABHA

৫২৮৪/অ:



৬ষ্ঠ বছৰ, ১২শ সংখ্যা] আহিন [১৮৫৭ শক

ব্রহ্মবিদ্যা

প্রবন্ধ] —শ্রীযুত গঙ্গানাথ শর্ম্মা বেদতীর্থ

ভব-সাগৰৰপৰা তৰিবৰ কাৰণে শাস্ত্ৰত দুই মাৰ্গৰ বিধান কৰা আছে—প্ৰথম কৰ্ম্মমাৰ্গ, আৰু দ্বিতীয় জ্ঞানমাৰ্গ, তৃতীয় যি উপাসনা মাৰ্গৰ কথা আছে সি কেৱল একমাত্ৰ ধ্যান কৰাৰ বিষয়হে, অন্তঃকৰণৰ বৃত্তি আৰু পৰিণামৰূপ বাপাৰ হোৱাৰ কাৰণ এক প্ৰকাৰ মানসিক কৰ্ম্ম বুলিহে কব পাৰি। এনেকুৱা যি শাৰীৰিক চেষ্টাৰ দ্বাৰাই কৰা যায় তাক কায়িক কৰ্ম্ম আৰু উপাসনাক মানসিক কৰ্ম্ম বুলি কয়। সেই কাৰণে কৰ্ম্মমাৰ্গৰ কথা কলে উপাসনা মাৰ্গৰ ভিতৰতেই পৰে। এই সময়ত অলপ ব্ৰহ্মবিদ্যা আলোচনা নকৰি ব্ৰহ্মবিদ্যা বহস্য বা বেদান্তৰ কেই আমাৰ মান কথাবহে ইয়াত উল্লেখ কৰিম বুলি আশা কৰিলোঁ।

ব্রহ্মবিদ্যা এই শব্দৰ এনে মধুৰতা এনে লাৱণ্যতা, এনে চিত্তাকৰ্ষকতা এনে মাদকতা আৰু এনে মহত্বপূৰ্ণতাৰ ক্ষমতা পোৱা যায় যে যি কোনো বুদ্ধিমান মনীষীকলৰ নিজৰ ত্ৰিবিধ দুখৰ অতি নিবৃত্তিৰ উৎকণ্ঠা হয়, নানা প্ৰকাৰ দুখ সহিও এই ব্রহ্মবিদ্যাকেই যেই সেই উপায়েৰে কৃতকাৰ্য্য নোহোৱালৈকে নলহাকৈ থাকিব নোৱাৰে। এতিয়া প্ৰথমতে ব্রহ্মবিদ্যাৰ

ব্রহ্মবিদ্যাৰ স্বৰূপ কি ?

স্বৰূপ কি ? আমি এই বিষয় জানিবলৈ হলে উপনিষদৰ দেৱৰাজ ইন্দ্ৰ আৰু দধ্যঙ্ মুনিৰ কথোপকথন পঢ়িহে জানিব পৰা যায়। দধ্যঙ্ মুনিয়ে ইন্দ্ৰক কৈছে—"হে ইন্দ্ৰ! ব্ৰহ্ম শব্দৰপৰা আত্ম শব্দ আৰু ব্ৰহ্ম তথা আত্ম শব্দৰপৰা উৎপন্ন হোৱা বৃত্তিৰূপ জ্ঞানাগোচৰ ব্ৰহ্মা আৰু আত্ম শব্দৰ অধিক আৰু অন্তৰ্ব্যাপকৰূপ যি উপলব্ধি হয় সি কেৱল "মইহে" যথা—"অহং ব্ৰহ্মাস্মি" এনেকুৱা যি অভেদ জ্ঞান তাক ব্ৰহ্মবিদ্যা বুলি কয়। এনেকুৱা অভেদ জ্ঞান যেতিয়া উদয় হব তেতিয়া সকলোতে নিজৰ আত্মভাবৰূপ ফলৰ উৎপত্তি হব। আৰু সৰ্ব্বাত্মভাবৰূপ ফল প্ৰাপ্তি হোৱাত ব্ৰাহ্মণ আদি উত্তম জাতিৰ বিশেষ কোনো আৱশ্যক নহয়। ব্ৰহ্মবিদ্যাৰপৰা যেনেকৈ ব্ৰহ্মই সৰ্ব্বাত্মভাবক প্ৰাপ্ত হয় তেনেকৈ দেৱতা দানব আদি সকলোৱে শ্ৰৱণ আদি সাধনৰপৰাই ব্ৰহ্মবিদ্যাক পায়। ইও কেৱল সৰ্ব্বাত্মভাবক প্ৰাপ্ত কৰে। মই ব্ৰহ্ম "অহং ব্ৰহ্মাস্মি" এনেকুৱা অভেদ জ্ঞানৰপৰা বহুত ব্ৰাহ্মণ, মুনি আৰু অনেক অসুৰ আদিও সৰ্ব্বাত্মৰূপ ব্ৰহ্মক প্ৰাপ্ত হৈছিল। ব্ৰহ্মবেত্তা ব্ৰাহ্মণৰ ব্ৰহ্মবিদ্যা ফল পৰোক্ষ নহয়। সি সকল কেৱল ব্ৰহ্মবিদ্যা অনুভৱৰপৰাই সিদ্ধ আছিল। হে ইন্দ্ৰ! আগতে এজন বামদেৱ নামে মুনি আছিল। সেই মুনিজনে মাতৃগৰ্ভতেই ব্ৰহ্মজ্ঞান পাই ব্ৰহ্মবিদ্যাৰ ফল বিশ্বাস কৰাৰৰ কাৰণে অধিকাৰীবিলাকৰ ওপৰত অনুগ্ৰহ প্ৰকাশ কৰি তলত লিখামতে কৈছিল।

হে অধিকাৰী ব্ৰাহ্মণসকল! ব্ৰহ্মবিদ্যাৰ প্ৰভাৱৰপৰা মাতৃগৰ্ভতেই মোৰ সৰ্ব্বাত্মভাবৰ প্ৰাপ্তি হৈছে। সেই কাৰণে ব্ৰহ্মবিদ্যাৰ ফলৰূপ সকলোতে আত্মভাবৰ বিশ্বাস হবৰ নিমিত্তে মই আপোনালোকক যি অলপ কব খুজিছোঁ সেইবিলাক শুনক—আপোনালোকৰ দৃষ্টিত আপোনালোকৰ নিচিনা বামদেৱ নামে মই আগৰ শৰীৰ ত্যাগ কৰি এতিয়া মাতৃগৰ্ভত আছোঁ যদিও মই সৰ্ব্বাত্মৰূপ হৈ আৰু আগৰ জন্মত মোক আৰু আন সকলো অধিকাৰীক সনক আদি সিদ্ধ মুনিসকলে ব্ৰহ্মবিদ্যাৰ উপদেশ দিছিল—তথাপি মই সেই সময়ত বিষয়াসক্ত হৈ থাকোতে আত্মাক জানিব নোৱাৰিছিলোঁ। যেনেকৈ জন্মতে অন্ধ হোৱা মানুহে নিজৰ হাতত লৈও অতি শোভা থকা হীৰা মুক্তা, মণি মাণিক্য আদি নেদেখে, তেনেকৈ বিষয়ত কাম ক্ৰোধ লোভ মোহ আদিত আসক্ত থকাৰ দোষত নিজৰ হৃদয়ত থকা আত্মাক মই জানিব নোৱাৰিলো। সেই কাৰণে সেই সময়ত মোৰ আত্মাৰ লগত দেখাদেখি নহল, আৰু সেই হেতুকে এতিয়া মোৰ বন্ধৰূপ শৰীৰ প্ৰাপ্তি হৈছে। যেনেকৈ এই শৰীৰটো বন্ধত অৱস্থিতি কৰিছে এনেকুৱা অৱস্থা আনৰ নহক। ইয়াৰ একমাত্ৰ উপায় হৈছে আত্মতত্ত্বৰ সেৱা বা ব্ৰহ্মবিদ্যাৰ সেৱা আন কাৰো নহয়। সেই কাৰণে আত্মজ্ঞানৰ নিমিত্তে সকলো অধিকাৰীয়ে যত্ন কৰা উচিত। ব্ৰহ্মবিদ্যাৰ প্ৰভাৱৰ দ্বাৰাই মই মাতৃগৰ্ভতে আত্মজ্ঞানৰ অনুভৱ কৰিছো, সেই গতিকে এই ব্ৰহ্মবিদ্যাত আপোনালোকে কাকো একো সন্দেহ নকৰে যেন। চাৰিও যুগতে ব্ৰহ্মবিদ্যাৰ সৰ্ব্বাত্মভাবৰ প্ৰাপ্তি হৈ মুক্তি হয়। হে দ্বিজাতি সকল! মই আপোনালোকৰ আগত ব্ৰহ্মবিদ্যাৰ ফল কওঁ শুনক! হে অধিকাৰী ব্ৰাহ্মণসকল! মনুষ্যাদিৰ সৃষ্টিৰ কাৰণ স্বায়ম্ভুৱ মনু ময়ে। বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকাশ কৰা সূৰ্য্য ময়ে, কক্ষী নামে মুনিও মই আৰু সূৰ্য্যক প্ৰকাশ কৰিব পৰা চৈতন্যও ময়ে। এনেকুৱা মোতে সকলো তত্ত্ব নিহিত আছে বুলি ভাবিব। এতিয়া মই নিজতে জীৱৰ লক্ষণ কওঁ শুনক। চৌধ ভুৱনত যিমান শৰীৰ আছে সেই আটাইবিলাক মোতে লয় প্ৰাপ্ত হৈছে। তাৎপৰ্য্য এই যে মই জন্ম মৰণ ৰহিত হৈও শৰীৰৰ উপাধিৰ দ্বাৰাই নিজতে জন্ম মৰণ মানি আছোঁ। ভৃগুৰ পুতেক শুক্ৰ ময়ে পৰশুৰামৰ অৱতাৰ ধাৰণ কৰি কশ্যপৰ নিচিনা সকলো ব্ৰাহ্মণকে সমান অধিকাৰ দিছিলো। পুণ্য পাপৰূপ কৰ্ম্মৰ দ্বাৰাই—জৰায়ুজ, অণ্ডজ, স্বেদজ, আৰু উদ্ভিজ্জ, এই চাৰি প্ৰকাৰে মই মেঘৰূপ ধাৰণ কৰি বৃষ্টি আদি দিওঁ। এই বৃষ্টি পুণ্য পাপৰূপ ফলৰ দ্বাৰাই ওখ খাপৰ, নীচ খাপৰ শৰীৰৰ তথা সকলো জীৱৰে সুখ দুখৰ কাৰণ হয়। মই তিনিও লোকতে থাকি সূৰ্য্যৰ ৰূপ ধাৰণ কৰি পানীৰ আকৰ্ষণ কৰোঁ, যেনেকৈ ক্ষুধাতুৰ লৰাই নিজৰ মাকৰ ওচৰলৈ যায়, তেনেকৈ দৈত্য আদিৰ

বামদেৱ

পৰা পৰাভৱ হৈ ইন্দ্ৰ আদি দেৱতাসকল মোৰ ওচৰত আহি উপস্থিত হয়। তাৰকাসুৰৰ পক্ষত থকা শঙ্খাসুৰ নামে এজন অসুৰৰ মায়াত অৱস্থান কৰা নব্বৈ পুৰুষক মই কাৰ্ত্তিকেয় ৰূপ ধাৰণ কৰি সকলোকে নাশ কৰিছিলো। তেনেকৈ মুমুক্ষুবিলাকে প্ৰণৱৰূপ মন্ত্ৰৰ দ্বাৰাই হৃদয়ত অজ্ঞানক নাশ কৰে। ইত্যাদি।

দধ্যঙ—হে ইন্দ্ৰ! আগত কোৱামতে সকলো কথা বামদেৱ নামে ঋষিয়ে সকলো ব্ৰাহ্মণক সৰ্ব্বাত্মভাবৰূপ ব্ৰহ্মবিদ্যাৰ ফল কৈছে। বামদেৱ ঋষিৰ কথা বেদত আছে। সৰ্ব্বাত্মৰূপ ফলপ্ৰাপ্তিৰ সাধন কেৱল একমাত্ৰ ব্ৰহ্মবিদ্যাহে। সেই কাৰণে অধিকাৰীসকলে ব্ৰহ্মবিদ্যাৰ সম্পাদন কৰা আৱশ্যক।

ইন্দ্ৰ—হে ভগৱান! মই দেৱতা হৈও নিজকে নিজে বশ কৰিব পৰা নাই। আন সকলোৱেও নিজতকৈ ভিন জনক কিয় বশ কৰিব নোৱাৰে ?

দধ্যঙ—বিবেকীয়ে ব্ৰহ্মবিদ্যাৰ প্ৰতাপৰপৰা সৰ্ব্বাত্মভাবক প্ৰাপ্ত হয়, সেই কাৰণে বিবেকী দেৱতাতকৈ ভিন্ন নহয়। তেওঁলোক দেৱতা আদিৰ আত্মা; সেই কাৰণে আপোনাসকলে (দেৱতা সকলে) আত্মৰূপ বিদ্বানক বশ কৰিব পৰা নাই। আন সকল সৰ্ব্বাত্মভাব প্ৰাপ্ত হৈছে কাৰণে আপোনালোকক আত্মা বুলি ভাবে। ইত্যাদি.....

উপনিষদত এই পৰম পৱিত্ৰ ব্ৰহ্মবিদ্যাতকৈ আৰু কোনো বস্তুৰ প্ৰায় প্ৰশংসা পোৱা নাযায়। উদাহৰণ স্বৰূপে কিছুমান প্ৰমাণ ইয়াত তুলি দিয়া হল।

স্নাতং তেন সমস্ততীৰ্থসলিলে দত্তাচ সৰ্ব্বা ইবনি—
যজ্ঞানাং চ সহস্ৰমিষ্টমখিলা দেৱাশ্চ সম্পূজিতাঃ।
সংসাৰাচ্চ সমুদ্ধৃতাঃ স্বপিতৰঃ ত্ৰৈলোক্য পূজ্যোঽপ্যসৌ
যস্য ব্ৰহ্মবিচাৰণে ক্ষণমপি স্থৈৰ্য্যং মনঃ প্ৰাপ্নুমাৎ॥

(বেদান্ত সিদ্ধান্ত মুক্তাৱলী)

অৰ্থাৎ—যি মানুহৰ চিত্ত ব্ৰহ্মচিন্তাত এক ক্ষণৰ নিমিত্তে স্থিৰ হয়, তেৱেঁই সকলো তীৰ্থৰ পানীতে স্নান কৰাৰ নিচিনা হয়। সমগ্ৰ পৃথিৱীৰ দানতকৈও অধিক ফল আৰু হাজাৰ হাজাৰ যজ্ঞ কৰাৰ নিচিনা, সকলো দেৱতাকে পূজা কৰাৰ নিচিনা হয়, আৰু পিতৃপুৰুষক সংসাৰৰপৰা উদ্ধাৰ কৰা হয় আৰু তেৱেঁই তিনিও লোকতে পূজনীয় হয়।

আকৌ বেদান্তসিদ্ধান্ত মুক্তাৱলীত কৈছে :—

কুলং পৱিত্ৰং জননী কৃতাৰ্থা বসুন্ধৰা পুণ্যৱতী চ তেন
অপাৰ সচ্চিৎ সুখসাগৰেঽস্মিল্লীনং পৰে ব্ৰহ্মণি যস্য চেতঃ।

অৰ্থাৎ যাৰ মন অপাৰ সচ্চিদানন্দ সমুদ্ৰ পৰব্ৰহ্মত লীন হৈ গৈছে, তাৰ কুল পৱিত্ৰ হৈ যায়, মাতা কৃতাৰ্থা হয় আৰু ইয়াৰ কাৰণত পৃথিৱীও পুণ্যৱতী হয়।

শাস্ত্ৰত ব্ৰহ্মবিদ্যাৰ এনেকুৱা এটা নহয় দুটা নহয় বহুত প্ৰমাণ পোৱা যায়।

ব্ৰহ্মবিদ্যাৰ যথাৰ্থ প্ৰতিপাদক দৰাচলতে উপনিষদ! এই উপনিষদৰপৰাই দুগ্ধৰূপ গীতামৃত দোহন কৰিবলৈ পৰব্ৰহ্ম সচ্চিদানন্দ উপনিষদৰ অৰ্থ প্ৰতিপাদক ভগৱান শ্ৰীকৃষ্ণৰ আবিৰ্ভাব হৈছিল। তাৰ প্ৰমাণ স্বৰূপে পাওঁ যে "সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপাল নন্দনঃ। পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।" শ্ৰীকৃষ্ণই উপনিষদৰ মন্ত্ৰৰূপ মণিৰ আৰু উত্তৰ মীমাংসাৰূপ বেদান্ত দৰ্শনৰ সূত্ৰত গাঠিবলৈ শ্ৰীকৃষ্ণদ্বৈপায়ণ মহাতপস্বী বেদব্যাসৰ আবিৰ্ভাব হৈছিল। সেই কাৰণে উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতাক "বেদান্ত প্ৰস্থানত্ৰয়ী" বুলিও কয়। এই ব্ৰহ্মবিদ্যাৰ ভাণ্ডাৰ আৰু আদি স্ৰোত সকলোতে উপনিষদকেই মানে। উপনিষদৰ মহাবাক্যৰূপ শৰৰ বাহিৰে বিন্ধিব পৰা আত্মোপলব্ধি প্ৰায় অসম্ভৱ। উপনিষদৰ সকলোতকৈ উচ্চ আদৰ্শ আৰু মহত্ব কেৱল যে শাস্ত্ৰতে কৈছে এনে নহয়। আজিকালিৰ পাশ্চাত্য মনীষী সকলেও মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে। পাঠক পাঠিকাসকলৰ প্ৰতীতি হবৰ কাৰণে এই প্ৰবন্ধত কেইজন মান পাশ্চাত্য পণ্ডিতৰ অভিমত উদ্ধৃত কৰি দিয়া হল। অধ্যাপক মোক্ষ মুলাৰে লিখিছে।

I spend my happiest hours in reading Vedantic books. They are to me like the light of the morning, like the pure air of the mountains—so simple, so true if once understood.

The Upanishads are the..... sources of.....the Vedanta philosophy, a system in which human speculation seems to me to have reached its very acme.

অৰ্থাৎ মই নিজে সকলোতকৈ অধিক আনন্দ বেদান্তৰ গ্ৰন্থবোৰ পঢ়া সময়তেই লভিছো। মোৰ নিমিত্তে ই প্ৰাতঃকালৰ পোহৰ, ই পৰ্ব্বতৰ বিশুদ্ধ বায়ুৰ নিচিনা ; যদি ইয়াক এবাৰ বুজি লব পৰা যায় তেন্তে ই কিমান সৰল আৰু সত্য বুলি প্ৰতীয়মান হয়। উপনিষদ বেদান্ত দৰ্শনৰ আদি স্ৰোত আৰু মোৰ বোধেৰে ইয়াতেই মানৱ জাতিৰ ভাবনা শক্তি চৰম অৱস্থা প্ৰাপ্ত হৈছে।

এজন আৰু পাশ্চাত্য পণ্ডিত ভিক্টৰ কজনে (Victor Cousion) কয় যে—

When we read with attention the poetical and philosophical monuments..... of India .....we discover there so many truths and truths so profound and which make such a contrast with the meanness of the results at which the European genius has sometimes stopped, that we constrained to bend the knee before that of the east, and see in this cradle of the human race the native land of the highest philosophy.

এনেকুৱা উপনিষদৰ অত্যন্ত ভাবপূৰ্ণ আৰু সৰল সকলোতকৈ উচ্চ ভাবাপন্ন প্ৰাপ্ত হৈ অন্যান্য ধৰ্ম্মৰ সম্প্ৰদায় সকলেও স্বীকাৰ কৰিব লগাত পৰিছে, যিহেতু এই বেদান্তৰ শব্দৰ দ্বাৰাই স্পষ্টকৈ বুজিব পাৰি।

এনে অতি উচ্চ ভাব থকা বেদৰ শৰীৰ স্বৰূপ উপনিষদ আৰু ইয়াতো বেদৰ মন্ত্ৰভাগ থকাৰ কাৰণে ইয়াক সকলোতকৈ মুখ্য বুলি মনা যায়। এই উপনিষদৰ মন্ত্ৰৰ ব্যাখ্যা শঙ্কৰাচাৰ্য্যই লিখি সকলোকে বুজাই দি গৈছে। আমি তাৰেই অসমীয়া অৰ্থ পাঠক বৰ্গৰ আগত দাঙি ধৰিলোঁ। যি পূৰ্ণ ঐশ্বৰ্য্যশালী পৰমেশ্বৰে সকলোকে পালন আৰু শাসন কৰে তেওঁকে ঈশ বা ঈশ্বৰ বোলে। এই ঈশ শব্দৰ তৃতীয় বিভক্তি ঈশা। পৰমাত্মা পৰমেশ্বৰেই সকলোৰে ৰক্ষা কৰ্ত্তা। তেৱে সকলো প্ৰাণীৰে আত্মা হৈ প্ৰথমতে আত্মভাবৰ দ্বাৰাই সকলোকে পালন কৰে। তেওঁ নিজে আত্মভূত ঈশ্বৰৰ দ্বাৰাই সকলোকে আবৰি ৰাখিবৰ যোগ্য। যেনেকৈ চন্দন আৰু অগৰু আদিৰ ওপৰত পানী ক্লেদাদি জমি উৎপন্ন হোৱা দুৰ্গন্ধ, সেই চন্দন অগৰু ঘঁহিলে তাৰ স্বাভাবিক গন্ধৰ দ্বাৰাই নাশ হয়, তেনেকৈ যি সময়ত সেই ভাবনা দৃঢ় হৈ যাব দৰাচলতে আত্মাই সত্য, সেই সময়ত আত্মাৰ যি স্বাভাবিক কৰ্ত্তৃত্ব ভোক্তৃত্ব আদি লক্ষণ থকা দ্বৈতৰূপ জগতত আৰোপ হৈ নিবৃত্ত হয়। পৃথিবীত সকলো নাম মাত্ৰ কাৰ্য্যাত্মক বিকাৰজাত (দৃশ্য আৰু অদৃশ্য প্ৰপঞ্চ)ৰ পৰা যিয়ে ঈশ্বৰত আত্মাৰেই কেৱল একত্ব ভাব উৎপন্ন হোৱাৰ বাহিৰে জ্ঞানীৰ মিছা (মৰু মৰীচিকাৰ) মৰুভূমিত মৃগতৃষ্ণাৰ নিচিনা প্ৰতীত হয়। (অৰ্থাৎ পৃথিবীত অস্থায়ী বস্তুবিলাকত বিবেকীবিলাকৰ মৰুভূমিত মৃগতৃষ্ণাৰ নিচিনা হয়) এনেকুৱা ঈশ্বৰাত্ম ভাবনাৰ দ্বাৰাই মুক্ত হোৱা মানৱৰ পুত্ৰাদি এষণাত্ৰয়ৰ সন্ন্যাস অৰ্থাৎ পৰিত্যাগতেই অধিকাৰ আছে কৰ্ম্মত নাই। সেই কাৰণে "তেন ত্যক্তেন" মানে এষণাত্ৰয়ক ত্যাগ কৰি আত্মাৰ ভোগ অৰ্থাৎ পালন কৰে (যিহেতু নিষ্ক্ৰিয় আত্মতত্ত্বৰ অনুকূল হোৱাৰ কাৰণে ত্যাগৰ দ্বাৰাই আত্মাক ৰক্ষা কৰিব পৰা যায়। এইয়ে বেদৰ তাৎপৰ্য্য। এনেকুৱা পুত্ৰাদি এষণাত্ৰয় ত্যাগ কৰিব পৰা, তুমি ধনৰ নিমিত্তে আকাঙ্খা নকৰিবা। ইয়াত স্বিৎ এইটো শব্দ অৰ্থ নোহোৱা নিপাত। অথবা ধনৰ নিমিত্তে ইচ্ছা নকৰিবা কাৰণ ধন কাৰ হব পাৰে? অৰ্থাৎ এই ধন যাৰ যেতিয়া আৱশ্যক হয় তেতিয়া সি নাপায়। এনেকুৱা স্বিৎ এই শব্দৰো আক্ষেপ সূচক অৰ্থও হব পাৰে (ইয়াত ধন শব্দৰ দ্বাৰাই পুত্ৰ কলত্ৰ আদি সকলো প্ৰপঞ্চকে বুজিব লাগে) এই সকলো প্ৰপঞ্চ আত্মাৰূপহে মাত্ৰ। এই ঈশ্বৰ ভাবনাৰ দ্বাৰাই নামৰূপাত্মক সম্পূৰ্ণ মিছা সংসাৰ নিৰস্ত হল। সেই কাৰণে এইবিলাক কেৱল আত্মাৰেই আৰু আত্মাই। সেই গতিকে মিছা (অনিত্য) পদাৰ্থৰ আকাঙ্খা নকৰিবা। এয়ে মন্ত্ৰৰ অৰ্থ।

শঙ্কৰাচাৰ্য্যৰ ঈশাবাস্যম্ ইত্যাদি মন্ত্ৰ ভাষ্যৰ অসমীয়া

সকলো বেদৰেই শেষ ব্ৰহ্মতে আছে অৰ্থাৎ "সৰ্ব্বে বেদাযৎপদমামনন্তি" এনেকুৱা অদ্বৈত তত্ত্ব জনাবিলাকৰ কথা। আৰু এই ব্ৰহ্মাৰ উপদেশ নিয়মমতে অধিকাৰীৰহে মানি চলা কৰ্ত্তব্য। উপনিষেদত উল্লেখ কৰা অনুসাৰে অধিকাৰী ইয়াকেই কয় যে—"যিয়ে শান্তচিত্ত আৰু জিতেন্দ্ৰিয় আৰু নিষ্কাম কৰ্ম্ম

ভাষ্যৰহস্য (ভাবাৰ্থ)

কৰিলে যাৰ ফল আৰু বিক্ষেপৰূপ অন্তঃকৰণৰ দোষ নিবৃত্ত হয়, যি গুৰুৰ উপদেশ অনুসাৰে চলে, গুণ থকা গুৰুৰ অনুকৰণ কৰে, যিজনে গুৰুৰ শ্ৰেষ্ঠ মাৰ্গ উলঙ্ঘন নকৰি, মোক্ষৰ নিমিত্তে অতি তীব্ৰ ইচ্ছুক হয় তাকেহে অধিকাৰী বোলে। তলত লিখা শ্ৰুতিৰ মন্ত্ৰটো হৈছে এই—

প্ৰশান্তচিত্তায় জিতেন্দ্ৰিয়ায় প্ৰক্ষীনদোষায় যথোক্তকাৰিণে।
গুণান্বিতায়ানুগতায় সৰ্ব্বদা প্ৰদেয়মেতৎ সকলং মুমুক্ষবে॥

কিন্তু এই অধিকাৰ চিত্তশুদ্ধিৰ বাহিৰে সিদ্ধ নহয়। চিত্তৰ শুদ্ধি নিজৰ বৰ্ণাশ্ৰমত থকা কৰ্ম্মকাণ্ডৰপৰা হয়, কাৰণ "কৰ্ম্মণাশুদ্ধচিত্তস্য" ইত্যাদি। সেই কাৰণে পৰম পুৰুষেই শুক্লযজুৰ্ব্বেদৰ ৩৯ (ঊনচল্লিশ) অধ্যায়লৈকে দৰ্শপৌৰ্ণমাস, অশ্বমেধ, বাজপেয়, অগ্নিষ্টোম, চৌত্ৰামণি ইত্যাদি যজ্ঞৰ নাম উল্লেখ কৰি কৰ্ম্মকাণ্ড বিস্তাৰভাৱে কৈ গৈছে। পিছত ৪০ অধ্যায়ত গুণৱান শুদ্ধচিত্তৰ নিমিত্তে বিবেক আদি সাধন চতুষ্টয় জানিবৰ উপযুক্ত। সেই কাৰণে শেষৰ ৪০ অধ্যায়ত জ্ঞানকাণ্ডৰ কথা কৈ গৈছে।

এই উপনিষদৰ নাম "ব্ৰহ্মবিদ্যোপণিষদ"। কাৰণ এই ব্ৰহ্মবিদ্যাপৰায়ণ মানুহে সংসাৰ বন্ধনৰপৰা আৰু ইয়াৰ কাৰণ অবিদ্যাৰ সৈতে মূলচ্ছেদ কৰি পৰমানন্দ প্ৰাপ্তি কৰিব পৰা হয়। তলত লিখামতে উপনিষদৰ অৰ্থ কৰা দেখা যায়।

উপণীয়ে মমাত্মনং ব্ৰহ্মাপাস্তদ্বয়ংপুনঃ। নিহন্ত্যবিদ্যাং তজ্জং চ তস্মাদুপণিষন্মতেতি বচনাচ্চ। অন্তৰ্ভাবিতন্যৰ্থস্য সদ্ ধাতোঃ ক্বিপি ৰূপম্। উপনিতৰাং সাদয়তি সংসাৰ হেতুভূতামবিদ্যাং নাশয়তি। গত্যাৰ্থস্য বা ব্ৰহ্ম প্ৰাপয়তীতি উপনিষদ্ শব্দস্য প্ৰতীতিঃ।

সৰলাৰ্থ এই যে—যি আত্মাক ব্ৰহ্মৰ ওচৰলৈ নি একীভাব কৰাই দিয়ে আৰু অবিদ্যা আৰু তাৰ কাৰ্য্যৰ বাধ (নাশ) কৰিব পাৰে তাকেই উপনিষদ বোলে।

এই ঈশাবাস্যোপণিষদত থকা মন্ত্ৰৰ বিনিয়োগ কৰ্ম্মত নাই। যদি কৰ্ম্মত থাকিলহেতেন তেনেহলে শুক্লযযুৰ্ব্বেদৰ প্ৰথম মন্ত্ৰ "ঈষেত্বোৰ্জ্জেত্বা" ইত্যাদি মন্ত্ৰৰ নিচিনা পূৰ্ব্ব-মীমাংসা আদি কৰ্ম্মসম্বন্ধী গ্ৰন্থত পোৱা যায় যে কেনেকৈ এই মন্ত্ৰৰ অমুক ঋষিয়ে অমুক কৰ্ম্ম কৰিব লাগে। এনেকুৱাকৈ এই ঈশাবাস্যম এই মন্ত্ৰতো কোনো কৰ্ম্মত বিনিয়োগ কৰিব পাৰিলেহেতেন! কিন্তু ক'তা, এনেকুৱা থকাতো কতো দেখা পোৱা নাযায়? সেই কাৰণে এই জ্ঞানভাণ্ডৰ মন্ত্ৰত বিনিয়োগ কথা বুলি ভবা অনুপযুক্ত আৰু অসঙ্গত। আন প্ৰকাৰ পুত্ৰেষ্টিশ্যেনাদি যাগ আৰু ইষ্টাপূৰ্ত্ত্যাদি কৰ্ম্ম প্ৰায় কৰ্ত্তৃত্ব ভোক্তৃত্বৰ অভিমানী আসক্ত আৰু ৰাগযুক্ত মানুহৰহে প্ৰয়োগ কৰা দেখা গৈছিল। কিন্তু এই জ্ঞানমাৰ্গ অনাসক্ত আৰু ৰাগৰহিত মানুহৰহে কব পাৰি।

আত্মা কৰ্ম্মৰ শেষ নহয়। কাৰণ শেষ ইয়াকেই কয় যে উৎপত্তি আদি ছয় প্ৰকাৰ বিকাৰ আৰু জড় দুখৰূপ হয়। অথবা যি কৰিলে কোনো বস্তুবিশেষৰ প্ৰাপ্তি হয় তাক "শেষী" আৰু যি বস্তুক প্ৰাপ্তি হয় তাক শেষ বোলে। যেনে—"স্বৰ্গকামো যজেত" (স্বৰ্গৰ কামনাকাৰীসকলে যজ্ঞ কৰিব) ইয়াত স্বৰ্গ উৎপাদ্য আৰু আপ্য। সেই কাৰণে ই যজ্ঞৰূপ কৰ্ম্মৰ শেষ আৰু যজ্ঞৰূপ কৰ্ম্ম উৎপাদক আৰু প্ৰাপক; সেই হেতুকে ইয়াক স্বৰ্গপ্ৰাপ্তিৰ শেষী বুলি বুজিব লাগে। এনেকুৱা আনতো শেষ আৰু শেষী সম্বন্ধ হয়। ইয়াৰ সেৱা আগত অপ্ৰাপ্ত আৰু এতিয়া প্ৰাপ্ত হোৱা গতিকে এই স্বৰ্গাদিত উপৰি উক্ত আন দোষো প্ৰাপ্ত হব।

স্বৰ্গ প্ৰথমতে অপ্ৰাপ্ত আছিল, এতিয়া প্ৰাপ্ত হৈছে। সেই কাৰণে "উৎপাদ্য" হৈছে, ইয়াৰ প্ৰাপ্তিৰ কামনা আছিল, এতিয়া নিবৃত্ত হৈছে। সেই কাৰণে ইয়াক আপ্য বোলে। পুণ্য ক্ষীণ হোৱাত ই শেষ হব সেইকাৰণে 'বিকাৰী' হৈছে। মই এই স্বৰ্গ শুভকৰ্ম্মৰ দ্বাৰাই পাইছোঁ আৰু এতিয়া ইয়াৰ আনন্দ ভোগ কৰিছোঁ। সেই কাৰণে কৰ্ত্তাভোক্তাৰূপ অভিমানৰ বিষয় হৈছে। প্ৰত্যেকতে ইয়াৰ ঘটনাও বিলক্ষণ হয়। সেইবাবে ইয়াক সংস্কাৰ্য্যও বোলে। এনেকুৱা যি বস্তু কৰ্ম্মৰ শেষ হব তাত আপোনা আপুনি দোষ প্ৰাপ্ত হব। আত্মা নিত্য আৰু সকলোতে আত্মা থকা বুলি বিশ্বাস হয়। সেই কাৰণে ই উৎপাদ্য আৰু আপ্য নহয়। সদায় সমানৰূপ থকা কাৰণে বিকাৰীও নহয়। ই বিভু পৰমাত্মা, সেই কাৰণে ইয়াৰ বাহিৰে আন কোনো বস্তু নাই। সেই হেতুকে ই সংস্কাৰ্য্যও নহয়। ই শুদ্ধ মুক্ত সত্য স্বভাৱ।

শাস্ত্রত উল্লেখ আছে যে অদ্বয়ব্রহ্ম চতুষ্টয় থকা গ্রন্থইহে জিজ্ঞাসুৰ আনন্দদায়ক হব পাবে। এই উপনিষদ উক্ত গুণৰ দ্বাৰাই যুক্ত আছে। অলপ সংক্ষেপতে উল্লেখ কৰা হল।

অদ্বয়ব্রহ্ম চাবি প্রকাৰ—(১) অধিকাৰী, (২) বিষয়, (৩) সম্বন্ধ, (৪) প্রয়োজন। বিবেক আদি এই চাবি সাধনৰ দ্বাৰাই যুক্ত থকা মানুহে উপনিষদৰ অধিকাৰী হব পাবে। এই কাৰণে শ্রুতিৰ মন্ত্রত অধিকাৰ সূচক—'ত্যক্তেন' এই শব্দৰ প্রয়োগ কৰিছে। প্রাপ্ত হোৱা ব্রহ্মবিদ্যাৰে সৈতে ইয়াৰ প্রতিপাদ্য সম্বন্ধ আছে আৰু জিজ্ঞাসুৰ সৈতে ইয়াৰ পাঠক-পাঠ্য দেশিক শিষ্য সম্বন্ধ আছে। দুখৰ আত্যন্তিক নিবৃত্তি আৰু পৰমানন্দৰ প্রাপ্তিয়ে ইয়াৰ প্রয়োজন। ইয়াৰ প্রমাণ 'কঃ মোহঃ কঃ শোকঃ' এই শ্রুতিৰ দ্বাৰাই পোৱা যায়। আৰু ব্রহ্মৈক্যে নিরূপণ কৰা অভেদ প্রদর্শন ইয়াৰ বিষয়।

যাৰ জ্ঞাপক ঈশাবাস্যমিদং সর্ব্বং এই মন্ত্র। এনেকুরা এই অদ্বয়ব্রহ্ম চতুষ্টয়ৰ দ্বাৰাই অলঙ্কৃত হোৱা এই গ্রন্থই জিজ্ঞাসুৰ পৰম হিতকৰ হব পাবে। কাৰণ শ্রুতি ষট্ লিঙ্গক (ছয় বিধ চিহ্ন) নম্বনাকে এনে গভীৰ ভাবপূর্ণ সর্ব্বোচ্চ, কঠিন, বেদশিৰস্ক শ্রেষ্ঠমার্গ প্রদর্শক এই মন্ত্রভাগকণ যজুর্ব্বেদীয় উপনিষদৰ অভিপ্রায়ৰ কাৰণে অত্যন্ত কঠিন। সেই কাৰণে প্রসঙ্গ ক্রমে ইয়াত অলপ উল্লেখ কৰা হল। শাস্ত্রত পুনঃ পুনঃ পোৱা যায় যে—ফল এই কার্য্যবেই হয় যি কার্য্যই শাস্ত্রত কোৱা বিধি অনুসাৰে প্রতিপালন কৰা যায়। সেই হেতুকে উপনিষদৰ অর্থ নির্ণয় কৰিবলৈ হলে ষট্ (ষড়) লিঙ্গক জনা অতি আৱশ্যক বুলি বোধ হয়। প্রমাণ হৈছে এই—

উপক্রমোপসংহাৰাভ্যাসো পূর্ব্বতা ফলম্।
অর্থবাদোপপত্তীচ লিঙ্গং তাৎপর্য্য নির্ণয়ে॥

উপক্রম আৰু উপসংহাৰ এই দুটাৰ এটা অভ্যাস অপূর্ব্বতা, ফল অর্থবাদ, আৰু উপপত্তি এই ছয়বিধ তাৎপর্য্য নির্ণয় কৰাৰ চিন। এইবিলাক বেলেগ বেলেগকৈ দেখুওৱা হল।

(১) উপক্রম আৰু উপসংহাৰ—ঈশাবাস্যমিত্যাদি সমগ্র জগতকেই ঈশ্বৰে পালন কৰিছে—এই প্রথম মন্ত্রৰ দ্বাৰাই উপক্রম কৰি "স পর্য্যগাচ্ছুক্রম্" অর্থাৎ এই সমগ্র প্রপঞ্চতে ঈশ্বৰ ব্যাপি আছে। এই মন্ত্রৰ দ্বাৰাই উপসংহাৰ কৰিছে।

(২) অভ্যাস—"অনেজদেকম্" (অচঞ্চল) এই মন্ত্র অথবা "তদন্তৰস্য সর্ব্বস্য" ই সকলোবে অন্তৰত আছে। এই অদ্বৈতৰ অভ্যাস।

(৩) অপূর্ব্বতা—নৈবদ্বেবাপ্নুবন (ইয়াত চকু আদি ইন্দ্রিয়বিলাক সোমাব নোৱাবে) ইয়াৰ প্রত্যক্ষ আদি প্রমাণৰ অগম্যতা রূপ অপূর্ব্বতা সিদ্ধ হয়।

(৪) ফল—কোমোহঃ কঃ শোকঃ এই মন্ত্রৰ দ্বাৰাই ফলবত্ত নিরূপণ কৰিছে।

(৫) অর্থবাদ—কুর্ব্বন্নেবেহ কর্ম্মাণি ইত্যাদি—এই মন্ত্র দ্বাৰাই ভেদদর্শী জীবিতেচ্ছু অপকষায় মানুহৰ নিমিত্তে কর্ম্মৰ অনুরূপ কৰাৰ পিছত শ্রুতিত "অন্যর্য্যানান্" এই মন্ত্রৰ দ্বাৰাই আঁধাবত মিহলি হৈ থকা ঠাই প্রাপ্তিৰ কথা ভেদজ্ঞানৰ নিন্দা আৰু অভেদ জ্ঞানৰ প্রশংসা কবিছে। ইয়াকেই অর্থবাদ কয়।

(৬) উৎপত্তি—তস্মিন্নপো, এই মন্ত্রৰ যুক্তিৰ দ্বাৰাই শ্রুতিত এই উপনিষদক এক আত্মতত্ত্ব অর্থাৎ অভেদৰ একত্বৰ কথা উল্লিখিত কৰিছে। এই ছয় প্রকাৰ লিঙ্গৰ দ্বাৰাই এই উপনিষদত জীবব্রহ্মৰ একত্ব নিরূপণ আৰু সমগ্র বিশ্ব প্রপঞ্চৰ কল্পনা আৰু মিথ্যাবাদৰ কথা আছে। কর্ম্মকাণ্ড বিধান কৰিব পৰা সিদ্ধ নহয়।

এই উপনিষদক সদায় স্বাধ্যায়রূপ অভ্যাসৰ দ্বাৰাই ব্রহ্মবিদ্যাৰ প্রাপ্তি হয়। সেই কাৰণে মুমুক্ষুৰ সম্পাদনৰ নিমিত্তে ইয়াৰ পুনঃপুনঃ অবলোকন শ্রবণ, মনন নিদিধ্যাসন কৰি ইয়াত নিষ্ঠাবান হোৱা উচিত।

'ত্বং ত্বৌপনিষদং পুরুষং পৃচ্ছামি'। এই তৈত্তিরীয়োপনিষদৰ মন্ত্রৰ দ্বাৰাই ব্রহ্মজ্ঞান প্রাপ্ত হোৱা সিদ্ধ হয়।

এই ঈশাবাস্যম্ ইত্যাদি মন্ত্রৰ বহুত দুই শব্দত নিহিত আছে। যদি সাঁচাকৈয়ে বিচাৰ কৰা যায় তেন্তে সকলো প্রপঞ্চ ব্রহ্মৰ দ্বাৰাই আচ্ছাদিত হৈ আছে। যেনেকৈ লোহাৰ হাতিয়াৰ লোহাতেই ব্যাপি আছে আৰু সোণৰ অলঙ্কাৰ সোণতেই আচ্ছাদিত হৈ থাকে, তেনেকৈ আৰু

যদি আন প্রকাৰে বিচাৰ কৰি দেখা যায় তেনেহলে এই নামরূপ ক্রিয়াত্মক বিকাৰবপৰা হোৱা (সংসাৰত) প্রাগভাব আৰু প্রধ্বংসাভাবৰ প্রতিযোগী আৰু অগমাপায়ী হোৱাত ব্রহ্মসত্তাতকৈ পৃথক স্বয়ং সত্তাহীন হোৱাৰ কাৰণ তিনিও কালতে আছেও নাযো। নামরূপ কেৱল কল্পনা মাত্রহে। অস্তি (আছে) ভাতি (প্রকাশ পায়) আৰু প্রিয়রূপৰ দ্বাৰাই কেৱল ব্রহ্মতে সত্য। আন সকলো মিছা। যেনেকুরাকে লোহা আৰু সোণক উলিয়ালে হাতিয়াৰ আৰু সোণৰ অলঙ্কাৰৰ কোনো স্থায়িত্ব নবয়, তেনেকৈ যদি বিচাৰ দৃষ্টিবে অর্থাৎ দার্শনিক দৃষ্টিবে দেখা যায় তেনেহলে লোহা আৰু সোণত নাম আৰু রূপটো কোনো কালতে নাছিল। সি কেৱল অজ্ঞান কালতহে ভ্রান্তিবে বিশ্বাস হয় যেনে—বজ্জৌসর্পাবোপবৎ" কিন্তু "প্রামাণিকী ন ভবতি ভ্রান্ত্যা লোহিত কল্পনা।" অর্থাৎ ভ্রান্তিৰ দ্বাৰাই মোহতে বশ হৈ যি কল্পনা কৰা যায় সি প্রমাণিত নহয়।

এনেকুরাকৈ ছুয়োটা নিয়মেবে (বিধি আৰু নিষেধ ছুয়ো প্রকাৰে) সংসাৰৰ স্থায়িত্ব আছেও নাযো। এই তত্ত্বক জানি নিজৰ কল্যাণ ইচ্ছা কৰা পুরুষৰ ব্রহ্মদৃষ্টিৰ দ্বাৰাই মিছা আৰু ভ্রান্তি দৃষ্টিৰ নিবাশ কৰা আৱশ্যক। কিন্তু এইটো যাবপবা হব পাবে সিয়ে পুত্রাদি এষণাত্রয়ক ত্যাগ কবিব পাবে। আনৰ নহয়, যিজনে মায়াত আবদ্ধ হৈছে তেওঁ আগত কোৱা যুক্তি অনুসাবে ভ্রান্তদর্শী, অসত্য, অধ্যাবোপিত পদার্থক গ্রহণ কবিবৰ যোগ্য।

মিছা ভ্রান্তি কল্পিত জড় আৰু দুখরূপ প্রপঞ্চত কেতিয়া চিত্তক নিয়োগ নকবে! এই মন্ত্রৰ (ঈশাবাস্যম্ ইত্যাদি মন্ত্রৰ) ভাষ্যৰ প্রকৃত বহুত আৰু এয়ে শ্রুতিৰ তাৎপর্য্য। এনেকুরা জ্ঞানী মানুহ সদায় মুক্ত। যথা "নতস্য প্রাণা উৎক্রামন্তি তত্রৈব সমবলীয়ন্তে, নচ পুনরাবর্ত্ততে।" এইটোরে উপনিষদৰ ঘোষণা। এই সম্বন্ধে গীতাতো পোৱা যায় যে—যদ্ গত্বা ন নিবর্ত্তন্তে মামুপেত্য তু কৌন্তেয় ইত্যাদি। এনেকুরা বহুত অপওনীয় প্রমাণ পোৱা যায়। সেই কাৰণে নিজৰ স্বকপত স্থিতি হোৱাই মনুষ্য শবীৰৰ এক ধ্যেয় বা লক্ষ্য। এয়ে হৈছে ভগৱানৰ যুগাৱতাৰ স্বামী শঙ্কবাচার্য্যৰ ভাষ্যৰ বহুত বা ভাবার্থ।



শেষ উক্তি

কবিতা]

—এম, ইক্রাম আলি হাজবিকা

আহিছোঁ কাহৰী অ জি চাবলই শেষ বাৰ হেপাঁহেৰে,
মুখনি তোমাৰ,
দুখাৰি চকুৰ পানী, নিৰাশাৰ দুমুনিয়া, দিবলই
শেষ উপহাৰ।

সঘনে কঁপিছে হিয়া, বিদৰিছে মন মোৰ, বিদায়ৰ
ৰতৰাটি পায়,
তেও যে আহিছোঁ সখী, দিয়া দেখা এটি বাৰ, চাই লওঁ
নয়ন জুবাই।

আকতো নেদেখো মই তোমাৰ লাজনী মুখ, হাঁহি থকা
নয়ন যুগুল,
গোলাপী গালৰ আভা, কণীয়া তিলটি সেই, বই পৰা
চিকোন কুন্তল।

দুদিনৰ পিছে সখী এৰি থই যাবা মোক আনজন
চপাবা কাষত,
বিবাহৰ বাদ্যধ্বনি, নিৰমম যন্ত্ৰনিকা তৰি দিব
আমাৰ মাজত।

পাহৰিবা মোক সখী ; ভাঙি দিবা মোৰ যত, যৌবনৰ
ৰঙিণ কল্পনা,
কেতিয়াবা অকস্মাতে পৰিলে মনত মোলে' সেই স্মৃতি
হব বিহ সনা।

নতুন লগৰী সতে, মেলাবা সুখৰ নাও, জীৱনৰ
ভটিয়া পানীত,
মই কিন্তু নিৰাশাৰ, সাগৰত উটি বুৰি, গাম মাগোঁ
বিষাদৰ গীত।

জীৱনৰ যত আশা থাকিব এনেয়ে পৰি, মাৰ যাব
সুখৰ সপোন,
সঘতনে গাঁথি থোৱা শুকাব শেৱালী মালা, তুমি মোৰ
নহবা আপোন।

চিৰ আৰাধনা কৰি, নোৱাৰিলোঁ তথাপিও চাপিবলে
তোমাৰ কাষত,
আন জন দুৰ অতিথিয়ে লভিব তোমাক, জয়মালা,
পিন্ধিব শিৰত।

ভাগ্যই সম্বল মোৰ, নকৰে। অলপো খেদ, কিনো হব,
কৰিলে বেজাৰ,
যেতিয়া জনম মোৰ সুখে পূর্ণ ধৰণীত, পাতিবলে
দুখৰ পোহাৰ।

আজি এই বিদায় বেলাত, বিষাদৰ টুকি চকুপানী
দিওঁ আশীৰ্ব্বাদ
সুখী হোৱা তুমি ; যদিওবা হব মোৰ চিৰ লগৰীয়া
বেজাৰ বিষাদ।

পৰিবৰ্ত্তন

(আগৰ সংখ্যাৰ পাছৰপৰা)

গল্প]

—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী

২৪

বিভাৰ মেইতাকৰ এখন চিঠি পালোঁ—গৃহশিক্ষকৰ দৰকাৰ নাই বুলি। এইটো যে হব সি জনা কথা। কাৰণ আজিকালি বিভাইতক পঢ়াবলৈ যোৱা বন্ধ কৰিছো। জানোচা দৰমহাৰ দাবী কৰোঁ। সেই ভয়ত এই 'না'টছ' (Notice)। উচিত আছিল মই এখন 'না'টছ' পঠোঁহা আৰু চাকৰি নকৰিম বুলি। সি ভালেই হল, কিন্তু চিঠি খন ৯।১০ দিনৰ আগতে লিখা। ইমান পলমে আহিল কিয়? বোধকৰোঁ কোনো চাকৰে ডাক বাকছত পেলাই দিবলৈ পাহৰি গৈছিল। সি যি কাৰণে হ'ক বাক মোৰ তাত আৰু কোনো স্বাৰ্থ নাই। কিন্তু গীতাইতৰ ঘৰলৈ গৈ মই কেনেকৈ মুখ দেখুৱাম? কেনেকৈ কম বিদ্যাগন নহব বুলি? নানা আশা, নানা কল্পনাৰ মাজত বামচন্দ্ৰৰ বনবাস নাইবা সীতাদেৱীৰ বনবাসৰ সম্বাদ শুনাৰ দৰে অকস্মাতে এই খবৰ শুনিলে বেচেৰীৰ মন ভাগি নাযাবনে? বামচন্দ্ৰৰ অৱশ্যে তথাপি ভাল যে—পিতৃ সত্য পালন ব্ৰত উপলক্ষ আছিল। কিন্তু সীতা? যুগে যুগে তেওঁৰ কাঁন্দোনে বামায়ণৰ শ্লোক-ৰূপে ঘৰে ঘৰে আজিও হাহাকাৰ কৰি ফুৰিছে। গীতা! কোন অপাত্ৰক ৰবিৰ খুজিলি তই!...একো নোকোৱাকৈ ওচৰ গলেও একে কথা। বৰং তাত বেয়াহে আছে। কাৰণ মোৰ আশাতে বহি থাকিব। তাতকৈ ভাঙি ছিঙি পৰিষ্কাৰ কৰি মোৱাটোৱেই ভাল। কিন্তু মই নিজে তাইহঁতৰ ঘৰলৈ গৈ "বিদা নহব" বুলি কব নোৱাৰিম।

* * * *

ককাইদেউ গীতাইতৰ ঘৰলৈ গৈছিল। তেওঁ উভতি আহি বিস্তাৰিত কলে।—গীতাই তেতিয়া মোৰ নামৰ আদি অক্ষৰটো এখন উৰমালৰ এটা কোণত বঙা পাটৰ সুতাৰে ওথিৰ দৰিছিল। মাক আছিল ওচৰতে বহি। উপস্থিত আন কোনো ঘৰত নাছিল। ককাইদেৰে নিজৰ পৰিচয় দি বহি ইফালৰ সকলো অৱস্থা খুলি কৈ তেওঁলোকে দিয়া টকাখিনি ওভতাই দিলে। কোৱা বাহুল্য শুনা মাত্ৰকে ছুয়োৰে মুখ যেন বাহুৰে গিলি পেলোৱা জোনৰ নিচিনা হৈছিল। মাকে এবাৰ ককাইদেউৰ পিনে এবাৰ গীতাৰ পিনে ঘনেপতি চাবলৈ ধৰিলে। গীতাৰ বুকুৰ ভিতৰৰ নীৰৱ ভাষা তাইৰ চকুৰে মুখে প্ৰকাশিত হল। মাকে বোধকৰোঁ জীয়েকৰ অৱস্থা ভাবি এটা দুমুনিয়াহ কাঢ়িলে। গীতাই হাতৰ উৰমাল টেবুলত আছাৰ মাৰি গৈ অকল কলে—Coward (ভীক্ন, কাপুৰুষ)! মাকে কিন্তু মোৰ লগত দু আষাৰ কথা কবৰ বাবে দহোকুৰি মোক যাবলৈ অনুৰোধ জনালে। "ভাল" বুলি কৈ বিদায় লৈ ককাইদেৰে কোঠালিবপৰা ওলাইছে, এনেতে গীতাৰ মাত শুনিবলৈ পালে—"মা, আমি কি কোৱে ওদেৰ মুখ ভাবাবো (আই, মই কেনেকৈ তাই ইতক মুখ দেখুৱাম)?"

ককাইদেৰে মুখ ঘুৰাই দেখিবলৈ পালে—গীতাই মেজৰ ওপৰত হাত এখন বাখি তাতে চকু ঢাকি তলমুৱ হৈ আছে আৰু মাকে তাইৰ মুবত হাত বুলাই দি কলে—"মোৰ আই!" তেওঁৰ চকুত পানী।

সকলো শুনিলোঁ। গীতাৰ সবল প্ৰণয়ৰ বৰ প্ৰতিদান দিয়া হল। আশা দি নিবাশ কবা আৰু মনুহৰ সৰ্ব্বনাশ কবা একেই। মাকে মাতিছে কিন্তু কোন লাজেৰে তেওঁলোকৰ ঘৰলৈ যাম? কলিকতা এৰিম যেতিয়া ইয়াৰ সকলো এৰিলোঁ। গীতাক বিসৰ্জ্জন দিয়াত বিভাৰ কথা মোৰ মনত পৰিবলৈ ধৰিলে। কলিকতা এৰিবৰ আগতে

বিভাৰ পৰা শেষ বিদায় লব পাৰিলে মনৰপৰা আন এটা বোজা কমাই দিয়া হ'লহেতেন।

২৫

দুৰ্ভাগ্যৰ ফল যেতিয়া ধৰে, বতৰৰ গছৰ ফলৰ নিচিনা কৈ একেলগেই ফলিবলৈ ধৰে যেন লাগে। সতীশ ৰায়ে মোৰ লগত দেখা কৰি কলে—"তোমাক ভাল চৰিত্ৰৰ মানুহ বুলি ভাবি গাভৰু ছোৱালীৰ গৃহ শিক্ষকতাৰ ব্যৱস্থা কৰি দিছিলোঁ; কিন্তু এতিয়া গম পালোঁ তুমি বিশ্বাসৰ সম্পূৰ্ণ অনুপযোগী।" অলপ থামি আকৌ কবলৈ ধৰিলে—তোমাকে বা দোষ দিওঁ কিয়?—"তোমাৰ বয়সৰ ফালে মই অকণো মন কৰা নাছিলোঁ। মোৰ চিন্তা আছিল অকল তোমাৰ অভাবৰ ফালে আৰু 'লজিক'ত (logic) তোমাৰ 'ফাৰ্ষ্ট ক্লাছ' (first class) পোৱাৰ বিষয়ে। কাৰণ বিভা 'লজিক'ত (তৰ্কশাস্ত্ৰ) বৰ কেচা।"

মই মনে মনে ভাবিলোঁ তাৰ ওপৰত ২০৲টকা দৰমহাত দুজনক পঢ়োৱা সস্তা শিক্ষকৰ ফালেও দৃষ্টি আছিল। সেই কথা প্ৰকাশ নকৰি সুধিলোঁ—"কি হৈছে কি অবিশ্বাসৰ কাম, কাৰ লগত কৰিলোঁ?" সতীশ—"আকৌ সুধিছা কি কৰিছো বুলি! ভদ্ৰ পৰিবাৰৰ যি সৰ্ব্বনাশ কৰিছা, সেই ক্ষতিৰ পূৰণ হবনে নহব ঘোৰতৰ সন্দেহ আছে। শুনা, বিভা আৰু তোমাৰ চাল চলন দেখি কিছু দিনৰ আগৰেপৰা তাইৰ মাকৰ মনত অলপ সন্দেহ হৈছিল—জানোচা কিশোৰী হৃদয়ৰ উদ্দাম প্ৰেম তৰঙ্গই বিভাক বিপথলৈ লৈ যায়। এই নিমিত্তে যিমান সোনকালে সম্ভৱ, তাইৰ বিয়াখন দি পেলাবৰ কাৰণে মনে মনে চেষ্টা চলিছিল। এজন উপযুক্ত পাত্ৰ পোৱা গৈছিল—বিলাত ফিৰত নতুন বাৰিষ্টাৰ। তাইক চাবলৈ আহিছিলোঁ। কিন্তু বিভাই এই শুভ সম্বাদত সুখী নহৈ মহা অনৰ্থ আৰম্ভ কৰিলে। কান্দি কাতি একাকাৰ। কাণ্ড চাই মাকে এজনী বিভাৰ সমনীয়া ছোৱালীৰ হতুৱাই সুধি জানিব পাৰিলে—'তাই তোমাক ভাল পায়, এতেকে তোমাৰ বাজে আনক বিয়া নকৰে।' তেতিয়া তোমালোকৰ গতি-বিধি আদি সকলো বিভাৰ মাকৰ মনৰ চকুৰে ফটফটীয়াকৈ দেখিবলৈ ধৰিলে—ছিনেমাৰ ছবিৰ গত জীৱনৰ ঘটনা দেখাৰ নিচিনাকৈ। হঠাতে বিভাৰ গা অসুখ কৰিছে বুলি ডেকা বাৰ এট্ ল' ডাঙৰীয়াক ফাকি দিয়া হল। যি ভুল কৰি পেলাইছে তাক শুধৰাবৰ বাবে ভবিষ্যতেলৈ যাতে তোমালোকৰ দুয়োৰে দেখা-শুনা নহয় তাৰ ব্যৱস্থাও কৰিলে। বিভাৰ মন যাতে ভাল হয় সেই কাৰণে তাইক লৈ তেওঁলোকে গিৰিধিলৈ গুচি গৈছে।"

মই একো নামাতিলোঁ। মোৰ নিৰ্দ্দোষিতা প্ৰমাণৰ নিমিত্তে আত্মপক্ষ সমৰ্থনৰ চেষ্টা বৃথা। বিভাই মোক ভাল পায় এইকথা আনৰ মুখত শুনি যে মনত কেনে আনন্দ উপজিল তাক আৰু কি কম! মুহূৰ্ত্তৰ কাৰণে মনত হল বিভাক পাবৰ বাবে মই যি কোনো অপৰাধ কৰিবলৈ সাজু, যি কোনো কলঙ্ক, যি কিছু শাস্তি মূৰ পাতি লবলৈ প্ৰস্তুত। এটা পৈশাচিক উত্তেজনা আহি মোৰ বুকু ফিন্দাই তুলিলে—মূৰ পোন আৰু হাত মুষ্টিবদ্ধ হল। কিন্তু মুহূৰ্ত্তত নৈৰাশ্যৰ অৱসাদে মোৰ মূৰ আগৰ অৱস্থাতকৈও তল কৰি পেলালে। মোৰ বাবে আনৰ লগত বিয়া হব নোখোজে, কিন্তু আনফালে মোৰ লগত ডাঙৰ মানুহৰ জীয়েকৰ বিয়া সম্পূৰ্ণ অসম্ভৱ। বিশেষকৈ মই কলিতা তাই কায়স্থ। অৱশ্যে কায়স্থ বুলি পৰিচয় দি আছে; কলিকতাৰ ফালে আহিলে ব্ৰাহ্মণেতৰ প্ৰায় সকলো জাতেই সেইভাবে মিছা পৰিচয় দিব লগাত পৰে; সি এটা দুৰ্ব্বলতা অৱশ্যে—কিন্তু এনেভাৱে বিদেশত মিছা পৰিচয় কিয়—অসমুতে চাওঁতে চাওঁতে বহু কলিতাই কায়স্থ হৈ গল, সেই কথা মই বিশেষকৈ জানো। সি যিয়ে নহক জাত গোত্ৰত বাধা নহলেও বিভাৰ মাক বাপেকে মোৰ নিচিনা এজন দুৰ্ভাগা গৃহশিক্ষকক কেতিয়াও ছোৱালী নিদিয়ে। দিলেই বা কি হব? দেউতাই আহি 'ৱাৰেণ্টৰ' আছামী ধৰা দি ধৰিছে। মোৰ ৰক্ষা নাই! লুকাই এবাৰ আঁতৰৰপৰা শেষ দেখা কৰিম—সেই বাটো বন্ধ। ছাঁয়া-মায়াৰ নিচিনা যেতিয়া সকলো শেষ হৈ গল—সকলো ঘটনাৰ আমূল পৰিৱৰ্ত্তন হৈ গল—তেতিয়া দেশতে বা নিলাজৰ নিচিনাকৈ মুখ দেখাওঁ কেনেকৈ? মই গুচি নাযাওঁ কিয়?

এই কথা মনত খেলোৱা মাত্ৰকে মোৰ মগজুত এই চিন্তা এনে প্ৰবল—এনে দুৰ্দ্দমনীয় হৈ উঠিল যে, লিখা-পঢ়া, পিতৃ-মাতৃ, ভূত-ভবিষ্যত আদি সকলো বিসৰ্জ্জন দি কাকো নোকোৱাকৈ বাহাৰপৰা ওলালোঁ। * * * হাওৰা ষ্টেশ্যনত গৈ ভাবিছোঁ কলৈ যাম। গিৰিধিলৈ যাম বুলি এবাৰ ঠিক কৰিলোঁ। বিভাৰ লগত কথা নহব অৱশ্যে, কিন্তু আঁতৰৰপৰা তাইক চাব পাৰিম। আৰু নহলেই যদি দেখা—সেই ঠাইখনলৈ গলেই যেন মোৰ আত্মাৰ তৃপ্তি হব। * * * দুই এজন মানুহক পুৰীৰ টিকেট কিনা দেখি মইও সেই ঠাইৰে টিকেট লৈ গাৰীত উঠি বহিলোঁ। বিভাই বৰ্ণনা দিয়া সেই পুৰীধাম শ্ৰীক্ষেত্ৰ। "সমুদ্ৰৰ ঢৌৰ ওপৰত ঢৌ!" সকলো দেখিবলৈ পাম,—কিন্তু বিভা লগত নাই।

২৬

পুৰী—সমুদ্ৰৰ পাৰ। সন্মুখত সুনীল জলধি। এটা বিৰাট—এটা অনন্তৰ আভাস দিছে। ওপৰতো অনন্ত নীল আকাশ সুদূৰ দিকচক্ৰবালত—নীলিমাময় নীলিমাত মিলি গৈছে। অনন্ত ঢৌৱে অনন্ত কালৰপৰা হিৰ্-হিৰ, গিৰ-গিৰ কৰি সিপাৰৰ কোনো এক মহান সঙ্গীত আনি দি তালে তালে নাচি আছে। মহাকবি কালিদাসৰ এটা শ্লোক মনত পৰিল।—

দূৰাদয়শ্চক্ৰনিভস্য তন্বী—
তমালতালী বলৰাজি নীলা
আভাতি বেলা লবনাম্বুৰাশিঃ
ধাৰা নিবদ্ধেৱ কলঙ্ক ৰেখা।

কেনে পৰ্য্যৱেক্ষণ! ইচ্ছা হয় আকাশত উৰি ওপৰৰপৰা তীৰৰ দৃশ্য দেখোঁ! কিমান যাত্ৰী, কিমান ৰোগী ভোগীয়ে পাৰত বহি নাইবা খোজ কাঢ়ি ফুৰি এই পাৰাবাৰৰ স্ৰষ্টাৰ অপাৰ মহিমাৰ কথা ভাবি মুগ্ধ হৈ আছে। আকৌ কোনোবাই ভৱপাৰাবাৰৰ কল্পনাত মনক উৰ্দ্ধৰপৰা অতি উৰ্দ্ধলৈ তুলি দি দিশ হেৰুৱাই পেলাইছে। * * * এই শ্ৰীক্ষেত্ৰতে মহাপ্ৰভু জগন্নাথদেৱৰ কাঠৰ মূৰ্ত্তি।—ৰথেচ বামনং দৃষ্টা পুনৰ্জন্ম নলভ্যতে;—একেবাৰে নিৰ্ব্বাণ মুক্তি! হায়, বিভা! তুমি এই চিৰ পৱিত্ৰ উদাৰ মহান ঠাইৰ মাজতো মোক পাহৰা নাছিলা! এবাৰ মই আহি একেলগে ফুৰিবৰ কাৰণে মাতিছিলা, কিন্তু মই হতভাগ্য।

আজি পূৰ্ণিমা তিথি। পশ্চিম দিগন্তত ৰঙা বেলি লাহে লাহে সাগৰৰ তলত মাৰ গল। লগে লগে পূব আকাশত সাগৰৰ পানীৰ তলৰপৰা ধীৰে ধীৰে সোণৰ ডাঙৰ কাঁহি এখনৰ দৰে জোন উঠি আহিবলৈ ধৰিলে। সমুদ্ৰৰ কলা পানীয়ে ঘিট-মিটীয়া ক'লা বৰণ ধৰিলে, কিন্তু পাৰৰ ওচৰৰ ভাগি পৰা ঢৌৰ মূৰৰ বগা পানী যেন আগতকৈ বগা হৈ জিলিকিবলৈ ধৰিলে। দূৰ দূৰান্তৰৰ ঢৌৰ ওপৰে ওপৰে জোনৰ সোণালী বৰণে বিভিন্ন আকাৰ ধৰি নাচি ফুৰিবলৈ ধৰিলে।

বহি আছোঁ। এজন মানুহে কাকত এখন হাতত লৈ বেগাই মোৰ ওচৰেদি যাব ধৰিছিল, এনেতে বতাহত তাৰ হাতৰপৰা কাকতখন উৰি আহি মোৰ ভৰিৰ ওচৰত পৰিল। তেতিয়াও সম্পূৰ্ণ আন্ধাৰ হোৱা নাছিল। চালোঁ এখন 'টেলিগ্ৰাফ ফৰ্ম।" কৌতূহল হোৱাত পঢ়ি চালোঁ—মোৰে নাম আৰু ঠিকানালৈ লিখা। তুলি লৈ ভালকৈ পঢ়ি চালোঁ—বিভাৰ দেউতাকে মোক এবাৰ পুৰীলৈ আহি, বিভাৰ লগত দেখা কৰি, তাইৰ শেষ ইচ্ছা ৰক্ষাৰ নিমিত্তে অনুৰোধ জনাইছে।

আচৰিত, বিভা ইয়াতে! কিন্তু শেষ ইচ্ছা কথা আষাৰৰ মানে কি? তাইৰ কি কিবা ডাঙৰ বেমাৰ হৈছে? উঃ—সাগৰৰ পাৰলৈ আহিছে! যক্ষ্মা বেমাৰৰ নামটো মনত আনিবৰো সাহ নোহোৱা হল। মনে মনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলোঁ যেন মহাশত্ৰুৰো এই বেমাৰ নহয়। মনটো বৰ অস্থিৰ হল। মানুহটোক কলো ময়ে সেই মানুহ বুলি। সি কিন্তু এই ঠাইৰে মানুহ; মোক কেতিয়াও দেখা নাই, গতিকে নিচিনিলে। চিনিলেই বা কি? তাৰ কৰ্ত্তব্য সি কৰিব লাগিব। সি যাবলৈ ধৰিলে। অগত্যা মই তাৰ পিছে পিছে টেলিগ্ৰাফ অফিছলৈকে গৈ তাৰ লগতে উভতি বিভাইতৰ ঘৰ পালোঁহি।

সাগৰৰ পাৰলৈ ঘৰ। দেখিলোঁ ঘৰৰ বাৰান্দাতে আৰাম চকী পাৰি সাগৰফালে মুখ কৰি বিভা আক তাইৰ দেউতাক বহি কথা পাতি আছে। অপ্রত্যাশিত-ভাৱে মোক দেখি বিভাৰ পিতাকে মোক সাদৰে অভ্যর্থনা কৰিলে। বিভাই একো নামাতিলে অৱশ্যে, কিন্তু তাইৰ বুকুৰ মাজত লুকাই থকা ভাষা চকুৰে মুখে বিবিত্তি উঠিল। মই বিভাৰ বাপেকক এটা প্রণাম কৰি বিভাক মাজত ৰাখি তাইৰ ওচৰতে বহিলোঁগৈ। তাইৰ লগত দেখা হব এনে আশা কল্পনাতো অহা নাছিল। এতিয়া ভাবৰ আবেগত তাইৰ এখন হাতত ধৰিলোঁ। তাই এটা চমুনিঃশ্বাস কাঢ়িলে। বিভাৰ পিতাকে কেতিয়া আহিলোঁ, ক'ত আছোঁ ইত্যাদি কথাৰ ওপৰত কথা সুধিবলৈ ধৰিলে। মইও তাৰ যথাযথ উত্তৰ দি যাবলৈ ধৰিলোঁ। এনেতে বিভাই সুধিলে "গীতা ক'ত" বুলি।

গীতা—মনৰ গীতা! তাইক যে এবি মই কাপুকষৰ নিচিনাকৈ পলাই আছিছোঁ তাক বিভাই নাজানে—জানিবৰ সম্ভাৱনাও নাছিল। কি উত্তৰ দিম? অকৃতজ্ঞ অপ্রেমিকৰ নির্মম আত্মকথা! বিশ্বাসঘাতকতাৰ দূষিত আত্ম বিৱৰণ! কিন্তু হায়, সকলোবে মুগতে যে বিভাই দিয়া এশ টকাৰ নোট—এই পুৰীবাসলৈ অহাৰ বেলিকা। মই কলোঁ—"গীতাৰ লগত সকলো সম্বন্ধ ছিণ্ডি দি ওচি আহিছোঁ।"

কথাষাৰ শুনি বিভাই যেনেকৈ আচৰিত হল, লগতে তাইৰ মুখখনো উৎফুল্ল হৈ উঠিল। আকৌ প্রশ্ন কৰিলে "কি হল আকৌ—বিয়া নহল হবলা?"

মই 'নহল' বুলি সংক্ষেপে উত্তৰ দিলোঁ। দেউতাকে কাৰণ সোধাতো—সি বহুত কথা, শুশুনাহে ভাল বুলি কথা আগাৰ তল কৰিবৰ চেষ্টা কৰিলোঁ। এনেতে বিভাৰ মাক আহি উপস্থিত হল। মোক দেখি বৰ সন্তোষ প্রকাশ কৰিলে। তেওঁৰ চকু মুখৰ ভাব দেখিও মনৰ আনন্দ ফটফটীয়াকৈ বুজিব পৰা গল। টেলিগ্রাফ কৰাৰ লগে লগে কেনেকৈ আহি পালোঁ তাকে সুধিলে। জীয়েকে হাঁহি উত্তৰ দিলে—"গাছ চালানি মন্ত্র জানে নহয়?" সকলোৱে হাঁহিলে মইও হাঁহিলো। মোক উত্তৰ দিবৰ অবসৰ নিদি বিভাৰ বাপেকে সকলো বিস্তাৰিত কৰলৈ ধৰিলে। কিন্তু কি কাৰণে বৰ্ত্তমানে পুৰী আহি পালোঁ সেই কথাৰ উত্তৰত এটা কিবা মিছা মাতিছিলোঁ। তাত বিশেষ কাৰো কোনো আগ্রহ নাছিল। মই যে আহিছো এইটোৱেই তেওঁলোকৰ লাভ। * * গীতাৰ লগত মোৰ বিয়া ভাগি গৈছে শুনি বিভাৰ মাকো আচৰিত হল, কিন্তু কথা আমাৰ তেওঁৰ বৰ ভাল নালাগিল বুলি মোৰ অনুমান হল। সেইটো নিতান্ত স্বাভাৱিক বুলি মোৰ ধাৰণা হল। কাৰণ যি পুৰুষে এজনী তিৰোতাৰ লগত সম্পর্ক ছিণ্ডি আহিব পাৰে সি সকলোৰে লগতে সেইভাৱে বিশ্বাস নষ্ট কৰিব পাৰে।

২৭

বিভাৰ মানসিক অৱস্থা বেয়া হোৱাৰ লগে লগে, বেগাই শাৰীৰিক অৱস্থাও বেয়া হৈ গৈছিল বাৰে, ডাক্তৰে পৰামর্শমতে গিৰিবিহঁলৈ যোৱা হৈছিল; কিন্তু পিছলৈ একো নহলেও বায়ু পৰিবর্ত্তনৰ যি প্রথম সপ্তাহতে বোগীৰ শাৰীৰিক আৰু মানসিক অৱস্থাত উন্নতি অর্থাৎ পৰিবর্ত্তন প্রায় সকলো ক্ষেত্রতে দেখিবলৈ পোৱা যায়। গিৰিবিহঁলৈ গৈ তাইৰ তেনেকুৱা উন্নতিতো নহলেই বৰং গা জ্বমে বেয়া হৈ যাবলৈ ধৰিলে। তাকে দেখি বুকুৰ বেমাৰৰ সন্দেহ কৰি পলম নকৰি পুৰীলৈ ওচি আহিছে। আহিবৰ আজি মাথো পাঁচ দিন হৈছে। কিন্তু শৰীৰ আৰু মনৰ বৰ ঘনিষ্ঠ সম্পর্ক। বিভাৰ মনত সুখ নাছিল গতিকে বায়ু বা স্থান পৰিবর্ত্তনত তাইৰ কোনো পৰিবর্ত্তনেই দেখা নগল। পুৰীৰ বিশেষজ্ঞ চিকিৎসকে বিশেষ পৰীক্ষা কৰি কোনো সাংঘাতিক ব্যাধিৰ সূত্র বিচাৰি নাপাই সন্দেহ কৰি বিভাৰ কিবা মানসিক অশান্তিৰ কাৰণ আছেনেকি অনুসন্ধান কৰাত প্রকৃত কথা ওলাই পৰে। তেতিয়া তাইক সোধাত, মোৰ লগত এবাৰ শেষ দেখা কৰিবৰ ইচ্ছা প্রকাশ কৰিছিল। সেই নিমিত্তে এই টেলিগ্রামৰ ব্যৱস্থা হৈছিল। ভগৱানৰ কাম বাস্তুদেৱে কৰে বুলি কয়। বোধকৰো তাইৰ প্রবল ইচ্ছাশক্তিৰ আকর্ষণত মই ইয়ালৈ আহিছিলোঁ। সি যিয়ে নহক, মোক দেখি বিভাৰ পিতাকৰ

বৰ আনন্দ হৈছিল। তাৰ এটা প্রধান কাৰণ মই অহাৰ পৰা বিভাৰ শৰীৰ আৰু মন দুয়ো ভাল যেন দেখা গৈছে। এই কাৰণে মই নিজৰ বাহা এবি যাতে বিভাইতৰ ঘৰতে থাকিব পাৰোঁ তাৰ বাবে তেওঁ বৰকৈ ধৰিলে। মই মনে মনে বৰ পাপেও নানা অসুবিধা হব বুলি ওজৰ আপত্তি তুলিলোঁ। কিন্তু শেষলৈকে সেই আপত্তি যে নিটকিল তাক নকলেও চলে। কাপোৰ কানি একো নাছিল—অকল সুদা মাছহটা আছি ধৰমশালাতে বাহা লৈছিলোঁ। বিভাইতৰ ঘৰলৈ আহিলো।

২৮

মই বিভাৰ ওচৰতে বহি সাগৰৰ ঢৌৰ লহৰী চাই আছো। ছেগ বুজি বিভাই ফলে—"দেখুন, তিন দিকেই অনন্ত নীল আকাশ যেন নীল সাগৰ জলৰে সঙ্গে মিশি বয়েছে কিন্তু তাতে তাৰ তৃপ্তি নাই। তাই এপাবৰে ধবাৰ বুকে লাহিয়ে পবছে মিলবাৰ জন্য, কিন্তু পাবছেনা প্রতিহত হয়ে আর্ত্তনাদ কৰে ফিবে যাচ্ছে; পৰ মুহূর্ত্তে আবাৰ দ্বিগুণ বেগে এসে আছাৰ খাচ্ছে। (চাওক, তিনিও ফালে অনন্ত নীল আকাশ যেন নীল সাগৰৰ পানীৰ লগত মিলি আছে, কিন্তু তাত ইয়াৰ তৃপ্তি নাই। সেইদেখি ইপাবৰ ধবাৰ বুকুত জপিয়াই পবিছে মিলি যাবৰ বাবে। কিন্তু পবা নাই প্রতিহত হৈ আর্ত্তনাদ কৰি উভতি যাব ধবিছে; পিছ মুহূর্ত্ততে আকৌ দ্বিগুণ বেগেবে আহি আছাৰ খাব ধবিছে)।"

মই এবাৰ উদাৰ বিশাল সমুদ্রৰ ফালে চাই ভাবকৈ বিভাৰ মুখৰ পিনে চাবলৈ ধৰিলোঁ—তাইৰ অন্তৰত কথা আমাৰ পঢ়ি চাবৰ বাবে। ইকি—এই উদ্বেলিত চিৰ মহান সমুদ্রৰ ঢৌৰ লীলা দেখি তাইৰ ভাবৰ ৰাজনা, নে তাইৰ অকৃত্ত প্রেমক্ষুধাকাতৰ অন্তৰৰ শিষাদ বেদনাৰ কবিতা? মই আত্মবিস্মৃত হলোঁ। স্থান কাল পাত্র সকলো পাহৰি গলোঁ। মোৰ হৃদয় দুৱাৰ মুকলি হৈ গল। বিভাৰ এখন হাত টানি লৈ নিজৰ বুকুত আনি হেচি ধৰিলোঁ। বিভাইও বাধা নিদি, যেন তন্ময় হৈ সেই স্পর্শ সুখ উপভোগ কৰিবলৈ ধৰিলে। এনেতে "বিভা" বুলি মতা মাকৰ মাতত দুয়ো চকুপাই উঠিলোঁ, মুখ ঘুবাই দেখিলোঁ তেওঁ গধীন হৈ আমাৰ পিনে চাই আছে।

অলপ পৰ পিছতে বিভাৰ মাকে মোক মাতি সাগৰৰ পাৰৰ পানীৰ ওচৰলৈ লৈ গল। বিভা আগৰ ঠাইতে বহি থাকিল। দুয়ো খোজ কাঢ়ি বাহা এবি বহুত আঁতৰত আছি উপস্থিত হলোঁ। দুবি আছো কিন্তু কাৰো মুখত কথা নাই। এনে ভাবে মাত বোল নোহোৱাকৈ কি সোধে কি সোধে মনত সন্দেহ কৰি সময় কটোৱা যে কিমান মানসিক অশান্তিদায়ক তাক মাথো ভুক্তভোগীয়েহে বুজিব পাৰিব। আশা নিবাশাই মোৰ মনত সমানে ভূমুকি মাৰিবলৈ ধৰিলে। অৱশেহত তেওঁ মৌনতা ভঙ্গ কৰি কবলৈ ধৰিলে—"ছোৱা বাপা, তোমাক আমি নিচেই আপোন মানুহ যেন ভাবোঁ। এতেকে তোমাৰপৰা আমালোকৰ উপকাৰ নহৈ অপকাৰ হয়, সেইটো নিশ্চয় তোমাৰ নিচিনা শিক্ষিত ডেকাৰ আন্তৰিক ইচ্ছা হব নোৱাৰে।

কথা শুনি মনটো 'দুব-দুব' কৰি কঁপিবলৈ ধৰিলে। ই কিহৰ ভূমিকা? তেওঁ উত্তৰৰ নিমিত্তে বাট চাই নাথাকি আগৰ দৰে কৈ যাব ধৰিলে—"মই জানো বিভাই তোমাক ভাল পায় কিন্তু মোৰ বিশ্বাস সি এটা মোহ মাথোন। তিৰোতা মাত্রেই সকবেপৰা তেনেভাবে এজনক নহয় এজনক ভাল পাই থাকে। সিটো এটা আচৰিত কথা নহয়, বিশেষ দোষৰ বুলি নধৰোঁ। কাৰণ বিয়া-বাক হৈ গলে সিবোৰ কথা পাহৰি যায়। বিভায়ো দুদিন বাজে সকলো পাহৰিব। তেতিয়া এই মোহৰ কথা এই অবৈধ প্রণয়ৰ কথা মনত পৰিলে লাজহে পাব। কিন্তু তাৰ বাবে তোমাৰ বিশেষ সহায় দৰকাৰ। তুমি যদি আক কেতিয়াও তাইৰ মুখৰ আগলৈ নাহা, কোনো চিঠি পত্র নিদিয়া, তেনেহলে বিভাৰ মন আকৌ ভাল হওঁতে সৰহ দিন পলম নহব। ডাক্তৰে কয় তাইৰ যক্ষা হবৰ ভয় আছে, যদিহে তাইৰ মানসিক অৱসাদৰ কাৰণ ওচোৱা নাযায়। মানো সেই কথা, সেই কাৰণে তাইৰ বিয়া খন দি পেলাবৰ চেষ্টাত আছোঁ। সকলোৱে কয় তোমাক পালেহে ভাল হব বুলি। মোৰ কিন্তু সেই কথা বিশ্বাস; নহয় ছোৱালীৰ

ভারপ্রবণতা বব বেড়ি দিন নাথাকে। মতা মানুহব মন বব ভারপ্রবণ তেওঁ চিকিৎসকেই হক লাগে আনেই হওক। বিভাব বাপেকব নিমিত্তে এইমিনি কাণ্ড হল। সকলো সময়তে সকলো কামতে উৎসাহ দি ছোৱালীজনীব মুখ থলে। সকবপবা কোনো কামতে বাধা নাপাই কাৰো বাধা বা উপদেশ মানি চলিবব প্রবৃত্তি তাইব নোহোৱাব দবে ছৈছে।—এই বিলাকব নিমিত্তে তোমাক অনোৱাব কাবণে টেলিগ্রাফ কবাব মই ঘোব বিবোদিনী আছিলোঁ। তোমাব বিয়াব যৌতুক ৫০০ টকা হাতে হাতে দিয়াটোৱেই আছিল বিভাব ইচ্ছা। মই কৈছিলোঁ ডাকত পঠিয়াবলৈ যদি তাই তাতেই সুখী হয়। কিন্তু দেখা-শুনা বব সংখ্যাতিক কথা। তাত আপাত দৃষ্টিত ভাল যেন লাগিব পাবে কিন্তু ভবিষ্যতলৈ অৱস্থা বিষম হবব ভয় আছে। কাবণ মিলা-মিছাবপবা প্রাণব আকর্ষণ বুদ্ধিহে হব। হিতে বিপবীত হৈ যাব পাবে। তুমি ভাল বেয়া সকলো বুজিব পাবা গতিকে সকলো খুলি কলোঁ। এজন বিলাত ফিবত ধনী ডেকাব লগত বিভাব বিয়াব সম্বন্ধ আহিছে। কাইটলে তেওঁ পুবীলৈ আহিব একে লগে কেই দিনমান বাস কবিবব বাবে। অৱশ্যে এই বন্দোবস্ত মই কবিছো, বিভাক বা তাইব বাপেকক নজনোৱাকৈ। এই নজনোৱা খিনিয়ে মোব ভুল হৈছিল। যি হক দুদিন একেলগে ঘুবা-চকা কবিলে গাভকব মন ভুলি যাওঁতে পলম নহব। অৱশ্যে তুমি যদি বিলাত-ফিবত হলাহেতেন, তেনেহলে আমালোকব কোনো আপত্তিব কাবণ নাছিল, তোমাব হাতত বিভাক সম্প্রদান কবিলোহেতেন। কিন্তু সেয়ে নোহোৱা যেতিয়া—তেতিয়া নিৰুপায়।"

অন্যমনস্কতাত মোব এটা হুমুনিয়াহ ওলাল। তেনেহলে কি কর্ত্তব্য সুধিলো। তেওঁ কলে—"তুমি যদি সঁচাকৈ বিভাক মবম কবা তেনেহলে অৱশ্যে তাইব হিত চিন্তিবা, যদি তুমি অকৃতজ্ঞ নোহোৱা, যদি তুমি আমালোকব মঙ্গল বিচাবা তেনেহলে—তেনেহলে উভতি আমাব বাহাৰৈলে নগৈ পোনে পোনে ষ্টেশ্বনলৈ যোৱা। এতিয়াই গলে গাৰী পাবা। এই ধবা দহ টকা খবচব নিমিত্তে।"

কথাব লগতে মোক এখন দহ টকাব নোট দিলে; মই হাত বঢ়াই নোটখন লৈ বিভাব লগত শেষ বিদায়ব ইচ্ছা প্রকাশ কবিলো। তাব উত্তবত তেওঁ কলে—"নহয় বাপা! মোব তাত উপকাব নহৈ অপকাবহে কবা হব। মই তাইক সকলো কথা বুজাই কম। তুমি ক'ত থাকা নাথাকা একো খবব নিদিবা। তাইব কোনো চিঠি ঘটনাক্রমে পালেও উত্তব নিদিবা। যোৱা আৰু পলম নকবিবা।

উপায়হীন হৈ তেওঁবপবা বিদায় লৈ ষ্টেশ্বনব বাট ধবিলো। মোব চকুভবি পানী ওলাবলৈ ধবিলে।

* * * টিকেট কবিবব কাবণে বিভাব মাকে দিয়া দহ টকাব নোটখন বুকুব জেপবপবা উলিয়াওঁতে হঠাৎ নোট পালো। খুলি দেখিলো আনঘন ১০০৲ টকাব। তাব পিঠিত পেনছিলেবে লিখা আছে—

পবাণেব বিনিময়ে পবাণ বিকায়;—
হেন ভালবাসা বল কোথা পাওয়া যায়?

ই বিভাব কাম। কিন্তু দিলে কেতিয়া? অ' বুলিলো যেতিয়া তাইব ঘুনীয়া হাতখনি মোব এই দয়ু বুকুত ধবিছিলো তেতিয়া জেপত সুমাই দিছিল নিশ্চয়। মনব তন্ময়তাত তত ধবিব পবা নাছিলো।

* * * *

বেলগাবীত উঠি বহিছো। ঘণ্টা দিছে—গার্ডে হুহুবি বজাই সেউজীয়া পতাকা তুলি ধবিছে এনেতে দেখিলো এজনী তিবোতাই গাবীব ভিতবলৈ চাই কাসে কাসে লবি আহিব ধবিছে। আমাব গাবীব ওচব যেতিয়া আহি পালে তেতিয়া গাবী এবিছে, লাহে লাহে কলিকতা বুলি লব দিছে। এতিয়াহে চিনি পালো বিভা। মুখ বঢ়াই সুধিম এনেতে মোক দেখি গাবীত উঠিবব চেষ্টা কবিলে। লবমবা গাবীত উঠিবব চেষ্টা কবা দেখি পুলিছে ধবিলে। তাই চিঞবি উঠিল। 'প্লেটফর্ম্মত' এটা গোলমাল উঠিল। এনেকি আমাব গাবী থামিল! মুখ উলিয়াই দেখিলো—বিভাব বাপেক, চাকব আদি আহি তাইক ধবি লৈ যাব ধবিলে। আমাব গাবী আৰো এবিলে। মোব মনত হবলৈ ধৰিলে যেন কোনোবাই আহি মোব হৃদপিণ্ডটো ছিণ্ডি লৈ গল।

২৯

মোব অন্তবব হাজাব দুখব মাজতো এটা চিন্তাই মোব মনত শান্তনা দিছিল যে, বিভাব ভালব বাবে মই তাইক এবিবলৈ বাধ্য হৈছোঁ। ভগৱানব ওচবত সদায় প্রার্থনা কবি আছো—বিভাব মাকব আশা যেন পূর্ণ হয়, বিভা যেন সুখী হব পাবে। * * মই এতিয়া আশ্রম যৈছোঁ বৈদ্যনাথ ধামত এজন বঙালী মহন্তব নতুনকৈ পতা আশ্রমত। নানা জপ-তপ আদিব লগত বাগিচাব মাটি খন্তা, ফল ফুলব গছব কলম, গুটি আদি লগোৱা কর্ম্মত লিপ্ত থাকি সকলো পাহৰিবব চেষ্টা কবিছো। * * সেইদিনা আছিল আমাব আশ্রমত অনুষ্ঠিত এটা মেলা। যাত্রা, থিয়েটাব, বায়স্কোপ আদি সাধাবণক ভুলাবব বা সন্তোষ দিবব বিশেষ বাবস্থা কবা ছৈছে। দলে দলে দর্শকব লগত নতুন শিষ্য শিষ্যাব দল বাঢ়ি গৈছে।

গুৰুজীব আদেশত মোব কর্ত্তব্য পবিছে আতুবব সেবা আৰু মাদলীব (তাবিজ) দবব বিনামূল্যে বিতবণ। ব্যৱহাব বা ধাবণব নিমিত্তে তাব লগতে এক পইছাত চাবিটা কৈ দিয়া, আমাব অষ্টধাতু নাম দি একোটা এক অনা কৈ বিক্রীকবা। হঠাতে নজব পবিল বিভাব মাকব প্রতি। তেওঁ মেলা উপলক্ষ কবি গুৰুজীব দর্শন লাভব নিমিত্তে আহিছে। মোক দেখি—'বাবা জীবেন' বুলি কান্দি পেলালে। মই তেওঁব ভবি দুই প্রণাম কবি কলাব কাবণ সুধিলোঁ। তাব উত্তব যি শুনিলোঁ—মোব সুতুনাই ভাল আছিল। বিভা, প্রাণব বিভা আৰু ইহ জগতত নাই! সিদিনা বোলে পুবীত বিভাই তাইব মাক আৰু মোব নিমিত্তে বাট চাই থাকি থাকি আমনি লগাত সাগবব পাবলৈ আগবাঢ়িব ধবিছিল। মাকে অকলে উভতি আহিছে দেখি তাই সন্দেহ কবি মাকক সুধিছিল আৰু সঁচাকথা নকলে তেতিয়াই সাগবত জপিয়াব বুলি কোৱাত আৰু আকাবে ইঙ্গিতে মনব দুচতা দেখুৱাত মাকে কৈছিল—মই ষ্টেশ্বনলৈ যৈছো বুলি। তেতিয়াই তাইও ষ্টেশ্বন বুলি বেগেবে যাব ধবিলে, মাকব হাক বাধা মুখনি। উপায় বুদ্ধি নাপাই মাকে গৈ বিভাব দেউতাকক কলে। তেওঁ আৰু কি কবিব, লধালধি কৈ ওলাল। বিভুই গাবীত উঠে উঠে হৈছিল এনে অৱস্থাতে পুলিছে ধবিছিল; তেতিয়া পিতাক ষ্টেশ্বন পাইছিগৈগৈ। তাবপবা তাইক ধবি লৈ বাহাবৈ যায়। ষ্টেশ্বনত অনেক গোলমালো হব ধবিছিল। "মোব স্বামীব লগত যাওঁ" বুলি চিঞবি উঠাত ষ্টেশ্বনব সকলোবে তাইক সহায় কবিবলৈ ওলাইছিল পিছত অৱশ্যে সকলোবে প্রকৃত কথা বুজি পালে। তেতিয়াবপবা যি তাইব মন ভাগিল আৰু কেতিয়াও ভাল নহল। ক্রমে তাই শয্যা ললে। পিছত সঁচাকৈ তাইব যক্ষ্মাই দেখা দিলে। নিকপায় হৈ আকৌ মোক বিচাবিবব কাবণে বহু বান্ধবলৈ বহু চিঠি দিয়া হৈছিল, কিন্তু মোব সন্ধান আৰু কোনেও নাপালে। আঠ মাহমান বোগত ভুগী, আজি এবছব হৈ গল বিভাই যি বাঞ্ছাত প্রেম আছে বিবহ নাই, শান্তি আছে কোনো দুখ কষ্ট নাই সেই অনন্তধামলৈ গুচি গৈছে—উচ্চাকাঙ্খী মাকক উচিত শিক্ষা দি। * * এই সম্বাদত মোব প্রাণ শুন্যয় হৈ গল। কলৈ যাম নাযাম—একো ঠিক নোহোৱা হল। সেই মুহূর্ত্তে মোব নিজব যি সম্বল আছিল তাকে লৈ আশ্রমবপবা ওলালোঁ। এই দুই বছব নানা তীর্থ নানা দেশ, নানা দেৱালয় চাই ফুবিলোঁ। অৱশেষত হৃষীকেশত এজন সাধুব আশ্রমত এটি অসমীয়া ভদ্রলোকব লগত দেখা হল। তেওঁব হাতত এখন আমাব প্রদেশব বাতবি কাকত দেখি খুলি চালো। মোব দেউতাই এখন বিজ্ঞাপন দিছে এই বুলি—"বাপা জীৱেশ্বব! তুমি উভতি আহা। তোমাব অবিহনে তোমাব মা শয্যাশায়ী হৈছে, অকল তোমাক দেখিবব কাবণে জীয়াই আছে। তুমি আমালোকক সকলো অপবাধ মাৰ্জ্জনা নকবিবানে?"

জাননীক পঢ়ি মন চঞ্চল হৈ উঠিল। সাধুসকলে আতবণপবা দেখিলে। দেবি মিচিকিয়াই হাঁহিবলৈ ধবিলে। পিছত মোক মাতি কলে—'তই তিবোতাব নিমিত্তে দেশ এবি এই দবে ফুবিছ। তোব কর্ম্মবন্ধন গুচিবলৈ বহুত পলম আছে। সন্ন্যাস তোব কাবণে নহয়। তই দেশলৈ গুচি যা। দেশত গৈ পিতৃ-মাতৃব সেৱা কবগৈ। বিয়া-বাক কবি সংসাবী হ'গৈ।"

মোব কিন্তু আশ্রম এবিবব ইচ্ছা নাই। মোব ওপবত

নির্দ্দয় হৈ সংসাৰী হবৰ আদেশ যেন নকৰে বুলি মিনতি জনালোঁ। তেওঁ প্ৰশস্ত হৈ কবলৈ ধৰিলে—"বৎস, ইফালে সিফালে ঘূৰি ফুৰিছিলা সেইখিনিও তোমাৰ কৰ্ম্মৰ তাৰণাতে। গাৰ্হস্থ্য ধৰ্ম্মক সৰু নাভাবিবা। মনত ৰাখিবা সিয়ো ধৰ্ম্ম। বৰং সেইটোকে শ্ৰেষ্ঠ ধৰ্ম্ম বুলিব পাৰি। যিসকল কামিনীৰ স্মৃতি বুকুত লৈ কষ্ট কৰি ফুৰিছা—তেওঁলোকৰ লগত তোমাৰ ইহজন্মত যিখিনি কৰ্ম্মবন্ধন আছিল সেইখিনি ক্ষয় কৰিবৰ কাৰণে তোমাৰ সংশ্ৰবলৈ আহিছিল। এতিয়া তোমাৰ আন কৰ্ত্তব্যৰ মাত আহিছে। দেশত গৈ পিতৃ-মাতৃৰ সেৱা কৰাগৈ। বিয়া বাৰু কৰি সংসাৰী হোৱাগৈ। এয়ে মোৰ বৰ্ত্তমান উপদেশ বা আদেশ বুলি ধৰিবা। জন্মদাতা পিতা-মাতাই প্ৰত্যক্ষ দেৱতা। সেৱা আদিৰ দ্বাৰা তেওঁলোকক সুখী কৰা তোমাৰ এটা ঘাই কৰ্ত্তব্য। সেই কৰ্ত্তব্য অৱহেলা কৰিলে মহাপাতক হব। তেওঁলোকক সুখী কৰিব নোৱাৰিলে আনক সুখী কৰিবা কেনেকৈ? নাজানানে—পিতা স্বৰ্গঃ পিতা ধৰ্ম্মঃ পিতাহি পৰমং তপঃ, পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্ব্বদেৱতাঃ। আৰু "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী।"

* * * *

মোৰ মনত খেলাবলৈ ধৰিলে যেন আকাশে বতাহে সেই শ্লোক ধ্বনিত হৈছে। শ্লোক দুটাৰ অৰ্থ যেন নতুনকৈ উপলব্ধি কৰিবলৈ ধৰিলোঁ। এক নিমিষতে মোৰ মনত পৰিৱৰ্ত্তন আনি দিলে। বাটে পথে ঘূৰি কিনো লাভ? তাতকৈ উভতিয়েই যাওঁ—সেই "স্বৰ্গাদপি গৰিয়সী জন্মভূমি"লৈ।

* * * *

পাণ্ডু ঘাটত ফেৰি লাগিল।

(শেষ)



কৃপাবৰ বৰুৱাৰ ভাবৰ বৰ্বুৰণি

—কৃপাবৰ

"ডমিছাইল্ড" শব্দটো ইংৰাজী। তাৰ ইংৰাজী বৰ্ণবিন্যাস domiciled বৰ্ণটোৰ বিন্যাস যিহকে হওক, তাৰ মানেৰ ভোগ-বিন্যাসৰহে আমি প্ৰয়াসী। কাৰণ, আমি চঞ্চল আৰু উদাসী। ভোগ-বিন্যাসৰ আগতে বৰবৰুৱাই তাৰ বৰ্ণবিন্যাসটো সলাব খোজে। কাৰণটো পিছত ওলাই যদি ওলাব।

গোটেই জগৎখনেই সলনা-সলনিৰ বৰপথাৰ। ভদোৰ মাটিৰ সীমা ঠেলি পদোৱে নিজৰ সীমা বঢ়ালে; পদোৰ মাটি ঠেলি লম্বোৱে তাৰ মাটি বঢ়ালে। তাৰ পিছত ভদোৰ মাটি পদোৰ হল, পদোৰ মাটি লম্বোৰ হল। অনেক সময়ত সীমা বঢ়া-টুটালৈ দৃষ্টি নাৰাখিও সলনা-সলনি হয়। তাৰ উদাহৰণ, সম্প্ৰতি লানি-নিছিগাকৈ মই দিবলৈ ওলাইছো; কাৰণ আজিকালি উদাহৰণ দি কথা নকলে নবহে। শুনা:—

সলনা-সলনি, ঠিক যেন জলদ-বৰণী মেঘ। এই আছে, এই নাই।

"অশাশ্বত ধন জন সবে বিষ্ণুমায়া।
আকাশত প্ৰকাশে মেঘৰ যেন ছায়া॥" (কীৰ্ত্তন)

এতেকে শুনা;—

কেক্সটনৰ (Caxton) দিনত ইংৰাজী শব্দৰ যি বৰ্ণবিন্যাস আছিল, তাৰ অনেকখিমি সলনি হল; আনকি ডাক্তৰ জন্সনৰ বৰ্ণবিন্যাসৰ অনেক শব্দই গঢ় লৰালে; অসমত অনন্ত কন্দলিৰ বৰ্ণবিন্যাস বহুত নাইকিয়া হল; বামুণ হেমকোষৰ বৰ্ণবিন্যাসে মাহেকীয়া সাদিনীয়া তিনদিনীয়া, দুদিনীয়া কাকতৰ পিঠিত জাত এৰি কোচ কুললৈ নামি "হেমকোচ" হৈ পৰিছে; জম্বু, শাক, শাল্মলী, কুশ, ক্ৰৌঞ্চই নাম সলাই কত কি হৈছে বিচাৰি উলিয়াবলৈ টান হল; লৱণ, ইক্ষু, সুৰা, সৰ্পি, দধি, দুগ্ধ, জল সাগৰবোৰ, বৰবৰুৱাই ডিঙিৰ বিষত কুল্‌কুলাই মুখ ধোৱা লোন পানী হল; ভৰত ৰজাৰ আগৰ কালৰ দেশখন ভৰতৰ পিছত ভাৰতবৰ্ষ হল, আন বৰ্ষবোৰেও নাম সলাই হৰিবৰ্ষ, কিম্পুৰুষ বৰ্ষ প্ৰভৃতি হল; সৰু সৰু সাগৰবোৰে বৰণ সলাই পীত, লোহিত, কৃষ্ণ হল; কোনোবোৰে তাৰ পাৰত বসতি কৰা মানুহ জাতিৰ নাম ললে, যেনে ভাৰত সাগৰ, আৰব সাগৰ ইত্যাদি; কোনোবোৰে নাম ললে পেছিফিক বা প্ৰশান্ত, অথচ সিহঁত স্বভাৱত দুৰ্দ্দান্ত হৈয়ে ৰল; ভাৰতেও কত বাৰ নাম সলালে, দেখি দুখ লাগে;—যেনে, ভাৰত, হিন্দুস্থান, ইণ্ডিয়া; "গঙ্গেশ যমুনাচৈব গোদাৱৰী সৰস্বতী নৰ্ম্মদা সিন্ধু কাবেৰী জলে সন্নিহিতো ভব" কৰিবলৈ আমাক কোৱা এই সাতখন মুখ্য নৈৰে নামৰ দুৰ্গতি বা প্ৰগতি দেখিলে অবাক হব লাগে; যেনে, গঙ্গা হল গেঞ্জেছ, নৰ্ম্মদা হল নৰ্ব্বদা, যমুনা হল যবুনা, ইত্যাদি; আৰু বেগতিক দেখি সৰস্বতীয়ে পাতালত প্ৰৱেশ কৰিলে; আমাৰ দুখীয়া অসমৰ সুখীয়া ব্ৰহ্মপুত্ৰৰে নাম সলনা-সলনিৰ কোব চোৱাঁ।—লৌহিত্য, লুইত, চান্‌পু, এনে কত কি পু, ফু, আৰু ফু-ফা হল; পুৰণি ভাৰতৰ আভীৰ দেশ মহাৰাষ্ট্ৰ হল, সৌৰাষ্ট্ৰ গুজৰাট হল, সৌবীৰ সিন্ধুহৈ এতিয়া চিন্ধত পৰিছে; য়ুৰোপৰ বৰ যুদ্ধৰ পিছত তিনিখন চাৰিখন দেশে নাম এৰি ব-ছেৰা হৈ লগলাগি ন নাম এটা ললে, যেনে যুগশ্লেভিয়া আৰু ছেকোশ্লেভকিয়া; অসমলৈকে লক্ষ্য কৰা, তিনটা চাইটা পীঠ গোট খাই কামৰূপ হল, তাৰ পিছত আসাম; আজি ডেকালৰাৰ কোবত অসম; আৰু কামৰূপ টুটি গৈ নলবাৰী, পলাশবাৰী, শুৱালকুছি, বৰপেটা, সৰভোগ হলগৈ; চিলঠীয়া দত্তৰ-পো-দত্তই যেনেকৈ কলিকতাৰ এলবাৰ্ট হলত সিদিনা গল মেলি বক্তৃতা কৰিছিল আকৌ অসমৰ কপালত কি আছে, কোনে

জানে? কাৰণ "দত্ত কাৰও ভৃত্য নয়, সঙ্গে এসেছিল"; বঙ্গৰ বাবু সকলৰে ঘণ্টাই ঘণ্টাই নাম সলনি হবলৈ ধৰিছে, কুমুদ চাটুৰ্জ্জী, বিনোদ বানুৰ্জ্জী আমাৰ চকুৰ আগতে কৈবল্যানন্দ স্বামী, আৰু বিনোদানন্দ স্বামী হব লাগিছে; আন নালাগে আমাৰ গোসাঁই প্ৰভুৰ আজ্ঞাত যুক্তাক্ষৰ বিযুক্ত হৈ, দ্বিত্ব একত্ব হৈ, ৰামানুজ প্ৰভৃতিৰ দ্বৈতবাদক বা বিশিষ্টাদ্বৈতবাদক কেনেকৈ ধ্বংস কৰি আনিছে চাই লোৱা; অৱশ্যে জানো, যে গোসাঁই প্ৰভু উদাসীন বা কেৱলীয়া প্ৰথাৰ সমৰ্থক; আৰু বিষয়া বা বিবাহ-প্ৰথাৰ বিৰোধী; সেইদেখি তেখেতৰ আজ্ঞাত দুটা বৰ্ণৰ বিবাহ-বন্ধন নিষিদ্ধ উদাসীন ধৰ্ম্মপ্ৰৱৰ্ত্তক মহাপুৰুষ শ্ৰীমাধৱদেৱৰ প্ৰথাই এনে;— যদিও, নাজানো, গোসাই প্ৰভু মহাপুৰুষীয়া নে চৈতনীয়া? কিন্তু চৈতন্যই দুবাৰ বিয়া কৰাই পিছত বৰাগী সন্ন্যাসী হল; এতেকে খৰ্ব্ব, নিখৰ্ব্ব, শঙ্খ, খৰ্‌ব, নিখৰ্‌ব, শঙ্‌খ, আৰু পৰ্ব্বত পৰ্‌বত পাৰ্ব্বতী পাৰেৱতী হোৱাত আমাৰ আপত্তি নচলে। বঙ্গত যোগেশ বিদ্যানিধি, অসমত আমাৰ গোসাঁই প্ৰভু জীয়াই থাওক, অচিৰতে বিবাহ-বন্ধন গুচি companionate marriage চলিব।

ওপৰৰ কথাখিনি মই একে উশাহেই কলোঁ; কাৰণ, সময় কম; আৰু আজিকালি speed, speed আৰু speed এই ঘাই কথা। সেইদেখি পাঠকে মন কৰিলে দেখিব, কথাডোখৰৰ মাজত "দাঁড়ি" বা "ফুলষ্টপ" নামৰ কূট এটাও নাই।

উশাহটো সলাই লৈ, ৰবা, আকৌ ওৰা পাতো:—

সভ্যতা যাক সকলোৱে বোলে, তাৰে সলনিৰ তাপত সভ্যসকলে তৎ এৰিছে। চাই থাকোতেই সভ্যতা অসভ্যতা হৈ উঠিছে। অসভ্যতা সভ্যতা হৈ পৰিছে। আগেয়ে নাঙঠা গোৰাই নাঙঠাৰ ভিতৰত সভ্য আছিল; তাৰ পিছত ছৰ্টছ্ পিন্ধোতা আদ্‌নাঙঠা গোৰা, ক'লা, সকলো সভ্য হৈ উঠিল। মেমৰ মেখেলা আঠুৰ ওপৰলৈ উঠোতে নুঠোতেই পুনৰায় নামিল। পাখি-মেলা, নেজে চালি ধৰা, মেমৰ পোছাক সৰু হৈ হৈ শুকাই খীণাই য'ত পৰিছেগৈ সকলোৱে দেখিছে, বাহুল্যেনালম্। আটাইবোৰ মেমেই চুলিকটা নগা-নাগিনীৰ দৰে হল। এতেকে নগাৰ সভ্যতাটো অসভ্যতানে কি ৰাইজে "ভাবি-চিম্পি" কওক। কলিকতাৰ ডবলিউ, ডি, ব্যেনাৰ্জ্জী আৰু অসমৰ জি, জি, ফুকনৰ দিনত ডাঢ়িয়ে গোফে ভোবোকাৰ হৈ থকাটোৱেই আছিল সভ্যতা; আজি সেইবোৰ পেলাই, নিমজকৈ গাল মুখ খুৰাই উলিয়াই দেখুৱাটোৱেই সভ্যতা। আৰু নো কিমান কম?

এতেকে domici'edঅক dumb-ye-child বুলি বৰ্ণবিন্যাস কৰাত (বানান নহয়; কাৰণ অসমীয়াই একো "নবনায়") যেন কোনেও আপত্তি নকৰে। সেইদেখি হিন্দীত কওঁ "চালাও পাঞ্চি!"

বিদেশৰপৰা অসমত এই "ডম্-ই-চাইল্ড" সকল অৰ্থাৎ মাত-নুফুটা শিশুবোৰ ওলালহি। দয়ালু অসম আই। তেওঁ সিহঁতক তুলি কোলাত লৈ পিয়াহ খাবলৈ নিদি শিশুবধৰ ভাগীতো হব নোৱাৰে। তেওঁ তুলি-তালি সিহঁতক ডাঙৰ-দীঘল কৰিলে, আৰু আজিও কৰি আছে। তেওঁৰ স্তনত সিহঁতৰ কিমান দাঁতৰ কামোৰ তেওঁ সহিছে, তথাপি তেওঁ সিহঁতৰ মুখলৈ চাই তালৈ ভ্ৰূক্ষেপ কৰা নাই। আজি শিশু ডাঙৰ হল। সিহঁতৰ গাত ডেকাধনি লাগিল। সিহঁতৰ মক্‌মক্‌নি, বাৰিষাৰ ভেকুলীৰ মক্‌মকনিতকৈয়ো চৰিল। তোলনীয়াহঁতে মাকক কয়, "আই! আমিহে তোমাৰ লৰা। তোমাৰ পেটত উদ্ভৱ হোৱা সেইবোৰ বাঙ্কৰা; সিহঁতক তুমি খেদি দিয়া; আমাক কোলাত তুলি লোৱাঁ; নতুবা আমাৰে ভিতৰৰ এজন-দুজন ৰাজমিস্ত্ৰি—শ্ৰীবিষ্ণু! ৰাজমন্ত্ৰী হৈছে, ৰজাক কোৱাই আমি তোমাক শাস্তি দিয়াম!

"হৰি হৰি! কিনো ভৈলি অবিধি কপাল!" আইৰ বুকুৰ পিয়াহেৰে ডাঙৰ হোৱা "ডম্-ই-চাইল্ড"বোৰে "বক্‌বক্-ই-ডেকা" হৈ কয় কি? সেইদেখিয়েই কলিকতাৰ লাটুবাবু চাটুবাবুৱে কৈছিল "পুষ্যপুত্ৰ আৰ বাঁধান দাঁত কখনও নিজেৰ হয় না।" বঙালী কবি দ্বিজেন্দ্ৰলাল ৰায়ে গীত গাইছিল "পাৰ যদি ভাই, জন্মিয়ো নাকো বৃহস্পতিবাৰেৰ বাৰবেলা।"

বৰবৰুৱাই কয়—

"পাৰা যদি নকৰিবা আই! পুষ্যপুত্ৰেৰে বিষম খেলা।"

আয়ে ইংৰাজীৰে বৰবৰুৱাক কৈছে,—"What can do? What can do? Father mother gave me no education. What can do? What can do?"

বৰবৰুৱাই কয়, "ভৰিৰে মোহাৰি পেলোৱা।"

আয়ে কয়—মই নোৱাৰোঁ। মই মাক। মই তইঁতৰ যেনে মাৰ, সিহঁতৰো তেনে মাক। মই নোৱাৰোঁ। সিহঁতৰ ধৰ্ম্মই যি কৰে। সিহঁতে মোৰ বুকুতে থাকি খুটি খাব পৰা হৈছে; সিহঁতে যদি মোৰ কাষত থাকি আছকাল পাইছে, তেন্তে আঁতৰি যাওক। কিন্তু মই নিজ মুখে যা বুলি কব নোৱাৰোঁ। কব পাৰোঁ, এই মাথোন, যে "তইঁতে যদি মোৰ পো-পোৱালি কেইটাৰে মিলিজুলি থাকিব নোৱাৰহঁক, ঘৰত অশান্তি কৰি নাথাকিবি; মন গৈছে যদি তইঁতৰ আদি ঘৰলৈকে উভতি গৈ আগৰ মাৰ-বাপেৰক বিচাৰি লইঁক।" বৰবৰুৱাই কয়—"আই! সেই বাটৰ মুদা মৰিল। সিহঁতক আদি ঘৰত কোনেও চিনি নাপায়। সিহঁতৰ গতি-মতি অগতিৰ গতি তোমাৰ কাষতে।"

আই—যদি সেয়ে হয়, সিহঁতক হাই-উৰুমি নকৰি তইঁতৰে সৈতে মিলি থাকিবলৈ ক। সিহঁতক কৈ দে, নিমখহাৰামী কৰাটো পাপ। আৰু লোকে বেয়াও বুলিব। তইঁতৰ দৰেই কান্ধত ভাৰ লৈ মোৰ বুকুৰ ধানৰ পথাৰৰ পৰা সিহঁতক ডাঙৰি কঢ়িয়াবলৈ কৈ দে।"

বৰবৰুৱা বদতি—হে "ডমিছাইল্ড" অৰ্থাৎ "ডম্-ই-ডেকা" নন্দদুলালহঁত! তোমালোকে শুনিলাতো আইৰ হুকুম!—বোলোঁ গানেৰে কওঁ শুনা:—

নন্দকি দুলালি যশোদাকু প্ৰাণ পিয়াৰে।
ৰোখনা মেৰে লাল! ঘাঘৰীয়া!
হামু জল ভৰণে গিয়া যমুনাকু,
টিপে দিয়া লাল ঘাঘৰিয়া।
হামু দধি বেচনে গিয়া বৃন্দাবন,
ফোঁড়ে দিয়া মেৰে ঘাঘৰিয়া!"

ইত্যাদি কথা ভাবি-চিম্পি বৰবৰুৱা কৃপাবৰে "ডম্-ই চাইল্ড" সকলক কয়—

আমি তোমালোকক ভাল পাওঁ। আমাৰ আয়েও ভাল পায়, আৰু "পিয়াৰ" কৰে। তোমালোকে দহোকুৰি দুষ্টালি নকৰি, উদ্ভণ্ডালি নকৰি আমাৰ লগতে জীণ গৈ থাকাইঁক। দুষ্টালিত কাৰো লাভ নাই। এই কথা এতিয়া যদি নুবুজা, পিছত বাহী হলে বুজিবা। বৰবৰুৱাও তোমাৰ দৰে বাহিৰৰপৰা আহি অসমত সোমাই অসমীয়া হৈ যোৱা মানুহ, তেওঁ মঠ ধৰি, ঠহ ধৰি, গেঙেৰি মাৰি, নেজ লৰাই উদ্ভণ্ডালি কৰা নাই। তুমি ডেৰ কুৰি বছৰৰ আগেয়ে আহিলা, তেওঁ জানিবা ডেৰশ বছৰ বা দুশ-বছৰৰ আগেয়ে আহিছিল, এই মাথোন প্ৰভেদ।



মাদাগাস্কাৰ দ্বীপ

শ্ৰীযুত ভুবনচন্দ্ৰ সন্দিকৈ

মাদাগাস্কাৰ পৃথিবীৰ ডাঙৰ ডাঙৰ দ্বীপবিলাকৰ এটা লেখত লবলগীয়া। ইয়াৰ মাটিকালিৰ পৰিমাণ প্ৰায় ২২৮০০০ বৰ্গমাইল, আয়তন হিছাপে নিউগিনি, বৰ্ণিও আৰু গ্ৰীণলেণ্ডৰ পাছতে ইয়াৰ স্থান ধৰিব পাৰি। ইয়াৰ আয়তন ইংলণ্ড আৰু স্কটলেণ্ডৰ দুগুণ। দক্ষিণ আফ্ৰিকাৰ পূব উপকূলৰপৰা প্ৰায় দুশ পঞ্চাশ মাইল দূৰত প্ৰশান্ত মহাসাগৰৰ মাজত এই দ্বীপ অৱস্থিত।

যদিও এই দ্বীপ আফ্ৰিকাৰ নিচেই ওচৰত তথাপি আফ্ৰিকাৰ লগত এই দ্বীপৰ সম্বন্ধ অতি কম, বৰঞ্চ এছিয়া মহাদেশৰ লগতেহে ইয়াৰ সম্বন্ধৰ অনেক নিদৰ্শন পোৱা



মাদাগাস্কাৰৰ তিৰোতাই তাত বাটি কৰিছে

যায়। ভূতাত্ত্বিক পণ্ডিতসকলে গবেষণা কৰি সিদ্ধান্ত কৰিছিল যে ভাৰত মহাসাগৰৰ মাজত থকা ওছেনিয়া নামৰ দ্বীপবিলাক প্ৰথমতে মাদাগাস্কাৰৰে লগ লাগি এখন ডাঙৰ মহাদেশ আছিল। সেই সময়ত মাদাগাস্কাৰ আৰু অন্য অন্য দ্বীপবিলাক ওখ মালভূমি আছিল। ইয়াৰ অৱশিষ্ট অংশ হাজাৰ হাজাৰ বছৰৰ পূৰ্ব্বেই ভাৰত মহাসাগৰত তল গৈছিল।

এই দ্বীপৰ পৰ্ব্বত শাৰী উত্তৰ ফালৰপৰা দক্ষিণ ফালে গোটেই দ্বীপ জুৰি আছে। ইয়াৰ আটাইতকৈ ওখ শৃঙ্গটো ৯ হাজাৰ ফুট ওখ। এসময়ত ইয়াৰ প্ৰত্যেকটো পৰ্ব্বততেই আগ্নেয়গিৰি আছিল, কিন্তু এতিয়া সেইবিলাক নুমাইছে। পূব উপকূলত বৰষুণ বৰ বেছি, এই দ্বীপৰ উপকূল ভাগৰ হাৱা-পানী সিমান স্বাস্থ্যকৰ নহয়। পশ্চিম উপকূল বৰ দ' আৰু ই অগাধ অৰণ্যেৰে ঢাক খোৱা। এই ঠাইবিলাকত জ্বৰৰ বৰ প্ৰকোপ, বাৰিষা নৈবিলাকৰ পানী বাঢ়ি এই উপকূলৰ অনেক অংশ বুৰাই পেলায়। দ্বীপৰ মধ্যভাগ সমতল নহয়। ইয়াৰ কোনো ঠাইত সাগৰতকৈ তিনি হাজাৰ ফুট আৰু আন ঠাইত পাঁচ হাজাৰ ফুট ওখ। দ্বীপৰ ভিতৰলৈ ক্ৰমে মাটি ওখ হোৱাত ইয়াৰ হাৱা-পানী নাতিশীতোষ্ণ। এই দ্বীপৰ মাজ ভাগত অনেক সৰু-সুৰা পাহাৰেৰে ভৰা, পাহাৰবিলাকৰ মাজে মাজে ডাঙৰ ডাঙৰ কেবাটাও সৰোবৰ আছে।

মাদাগাস্কাৰৰ হাবিবিলাকৰ বিশেষত্ব এই যে ইয়াত আপোনা আপুনি অনেক ফল মূলৰ গছ গজে। আম, মধুৰী-আম, সুমথিৰা, কুঁহিয়াৰ, মাটিকঠাল, নীল, তাল, নাৰীকল, বাঁহ, কল, খেজুৰ আদি গছবিলাক হাবিত প্ৰচুৰ পৰিমাণে পোৱা যায়।

ঠায়ে ঠায়ে ৰবৰৰ গছ আছে। ইয়াৰ অধিবাসীবিলাকে ৰবৰৰ বেপাৰ কৰে। এই দ্বীপত এক ৰকম গছ আছে তাৰ নাম "বাটকৰা গছ"—(traveller's tree)। এই গছৰ পাতবিলাক দেখিবলৈ কল পাতৰ দৰে, পাতবিলাক চৰাই পাখীৰ দৰে কেউফালে মেল খোৱা, ওখই প্ৰায় এশ ফুট বা তাতকৈও অধিক। পাতৰ নলবিলাক ফোঁপোলা, তাত সোৱাদ পানী গোট খাই থাকে। ই ভাগকৰা আৰু পিয়াহত আতুৰ হোৱা বাটকৰাৰ অনেক

সময়ত প্ৰাণ ৰক্ষা কৰে। জলাহ ঠাইবিলাকত মানুহতকৈও ওখ পদুম ফুলি থাকে, শস্যৰ ভিতৰত ধান, আলু, কপাহ আৰু ধপাতেই প্ৰধান।

যদিও মাদাগাস্কাৰ আফ্ৰিকাৰ অতি ওচৰতে তথাপি আফ্ৰিকাৰ পশু পক্ষীৰ লগত মাদাগাস্কাৰৰ পশু পক্ষী নিমিলে। আফ্ৰিকাৰ হাতী, সিংহ বাঘ, বান্দৰ, আৰু নানা ধৰণৰ পশু, পক্ষী ইয়াত দেখিবলৈ নাই। বনৰীয়া অপকাৰী জন্তুৰ ভিতৰত গাহৰি, বনৰীয়া কুকুৰ আৰু বন বোন্দাই প্ৰধান। আকাৰত উট চৰাইৰো দুগুণ এবিধ চৰাই আছিল, কিন্তু আজিকালি ইয়াৰ বংশ শেষ হৈছে। নৈবিলাকত বিস্তৰ ঘৰিয়াল আছে। বোধহয় এসময়ত ইয়াত হিপপটেমাছ আছিল। ইয়াৰ জীৱ-জন্তুবিলাক আফ্ৰিকাতকৈ এছিয়া, অষ্ট্ৰেলিয়া আৰু কোনো কোনো বিষয়ত আমেৰিকাৰ জীৱ-জন্তু জাতিৰ লগতহে মিলে।

মাদাগাস্কাৰৰ অধিবাসীবিলাকৰ মাজত আফ্ৰিকাৰ তেজৰ মিল স্পষ্টকৈ দেখা নাযায়। মালয় আৰু পলিনেছিয় দ্বীপবাসীবিলাকৰ ভাষাৰ লগত ইহঁতৰ ভাষাৰ অনেক আভাস আৰু লগে লগে তেজ মঙহৰো মিল দেখা যায়। কোনো কোনো পণ্ডিতৰ মতে এই দুই জাতি প্ৰকৃতপক্ষে এটা জাতিৰে দুটা শাখা মাত্ৰ। পলিনেছিয়বিলাকৰ নৌ বিদ্যাৰ সুদক্ষতালৈ চাই কিছুমান পণ্ডিতে নিৰ্ণয় কৰে যে এসময়ত পলিনেছিয়বিলাক আহি মাদাগাস্কাৰৰ অসভ্য মানুহবিলাকক যুদ্ধত ঘটাই এই দ্বীপ অধিকাৰ কৰিছিল। পৃথিবীৰ নানা জাতিৰ 'জল দস্যু'বিলাকে এই দ্বীপত সেই সময়ত আড্ডা পাতিছিল। তাৰ পিছত আৰব আৰু য়ুৰোপ মহাদেশৰ সদাগৰবিলাকে বাণিজ্য সূত্ৰত ইয়ালৈ আহে, গতিকে পণ্ডিতসকলে অনুমান কৰে যে মাদাগাস্কাৰবাসীবিলাকৰ গাত অনেক জাতিৰ তেজৰ সংমিশ্ৰণ আছে।

এতিয়া মাদাগাস্কাৰৰ বুৰঞ্জীৰ বিষয়ে অলপ আলোচনা কৰা হওক। অনেক কাল মালয় জাতিৰ হভা (Hova) নামে এটা শাখাই মাদাগাস্কাৰত প্ৰভুত্ব চলাইছিল। হভা-বিলাকৰ মাজত বিদেশীৰ কোনো কথাই প্ৰবেশ কৰিবলৈ নাপাইছিল। সভ্যতাৰ তল খাপত পৰি আছিল যদিও স্বাধীনতা সুখৰ সোৱাদ তেওঁলোকে বেছকৈয়ে বুজিছিল। সেই কাৰণেহে ইবিলাকে অনেক যুগ এই দ্বীপত ৰাজত্ব কৰিবলৈ পাইছিল। বহু দেৱ-দেৱীৰ পূজা, মন্ত্ৰ আৰু যাদুবিদ্যাত প্ৰবল বিশ্বাস, এই দুই বিষয়ত ভাৰতবৰ্ষৰ লগতো ইহঁতৰ মিল দেখা যায়। উনৈশ শতাব্দীৰ প্ৰথম ভাগতে এদল 'পাদুৰী' (missionary) ইয়ালৈ আহি হভাবিলাকক অৰ্দ্ধসভ্য (semi civilised) অৱস্থাত পাইছিলহি। সেই সময়ত সমস্ত দ্বীপৰ অধিপতি 'ৰাদামা'



মাদাগাস্কাৰৰ উচ্চ ভূমিত থকা গাঁৱৰ ঘৰবাৰী

(Radama) নামে এজন প্ৰবল প্ৰতাপী 'হভা' আছিল। তেওঁৰ কঠোৰ শাসন প্ৰণালীত হ'ভা জাতি যন্ত্ৰচালিত পুতলাৰ নিচিনা আছিল যদিও কেউকালে সিচৰিত হৈ থকা নানা জাতীয় ডকাইত আৰু জল দস্যুবিলাকক তেওঁ বশ কৰিব নোৱাৰিছিল। গতিকে তীক্ষ্ণ বুদ্ধিৰ ৰাদামাই য়ুৰোপৰ পাদুৰীবিলাকক সৰ্ব্বতোভাৱে ৰক্ষা কৰি ইংৰাজৰ লগত সদ্ভাৱ ৰাখিছিল। হ'ভাই বিলাতী বন্দুক, গুলী, আৰু খাৰ-বাৰুদ আমদানী কৰি এজন ইংৰাজ সামৰিকক নিযুক্ত কৰি তেওঁৰ সৈন্যবিলাকক য়ুৰোপীয় ধৰণৰ যুদ্ধবিদ্যা দিবলৈ ধৰিলে। ইয়াৰ বলতেই তেওঁ ক্ৰমাৎ এই সুবৃহৎ দ্বীপৰ ওপৰত আধিপত্য বিস্তাৰ কৰিলে। 'ৰাদামাৰ' পিতাকৰো সেই একেই উদ্দেশ্য আছিল,

কিন্তু বস্তুত কাৰণত তেওঁ মাদাগাস্কাৰক এক শাসন শৃঙ্খলাৰ তললৈ আনিব নোৱাৰিলে।



সমৰা ঘৰৰ ওপৰত উঠি এজন মাদাগাস্কাৰৰ পুৰোহিত

ছ'ভাই মাদাগাস্কাৰবাসপৰা দাস-দাসীৰ বপ্তানী বন্ধ কৰি দিলে, এইদৰে স্বদেশৰ অনেক সজ আৰু উপকাৰী কাম কৰি তেওঁৰ মৃত্যু হল।

ছ'ভাৰ মৃত্যুৰ পিছত ভেওঁৰ বিধবা ৰাণী 'ৰাণাভালো-নাই' (Ranavalona) স্বামীৰ সিংহাসনত উঠে। এওঁ কিন্তু স্বামীৰ একেবাৰেই বিপৰীত আছিল। য়ুৰোপৰ মানুহবিলাকক এওঁ ছচকু পাৰি দেখিব নোৱাৰিছিল। বিদেশীয়ে ছ'ভা ৰাজ্যত আদৰ সন্মান পোৱাতো তেওঁৰ মত বিৰুদ্ধ আছিল। সেই কাৰণে তেওঁ পাদ্ৰীবিলাকক ৰাজ্যপৰা যেদি নতুনকৈ খ্ৰষ্ট ধৰ্ম্মত দীক্ষিত হোৱা দেশীয় মানুহবিলাকৰ ওপৰত অমানুষিক অত্যাচাৰ কৰিবলৈ ধৰিলে। কেইবছৰমানৰ আগতে থান্-স্থিত লণ্ডা ষ্টীয়ান ধৰ্ম্ম একেবাৰেই লুপ্ত হৈ গল।

ৰাণীৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ দ্বিতীয় ৰাদামা সিংহাসনত উঠে। অত্যাচাৰ আৰু উৎপীড়নত ৰাদামা মাকতৈকেও একাঠি চৰিল। প্ৰজাবিলাকে নিৰুপায় হৈ শেষত বিদ্ৰোহৰ জুই জ্বলিবলৈ ধৰিলে। শেষত বিদ্ৰোহীবিলাকে চল চক্ৰান্তৰে ৰজাক হত্যাগত কৰি ফাঁচি দি হত্যা কৰিলে। দ্বিতীয় ৰাদামাৰ মৃত্যুৰ পিছত তেওঁৰ তিনি গৰাকী ৰাণীয়ে এগৰাকীৰ পিছত এগৰাকীকৈ মাদাগাস্কাৰত ৰাজত্ব কৰিলে। প্ৰত্যেক ৰাণীয়েই সিংহাসনত উঠি নিজ নিজ প্ৰধান মন্ত্ৰীক বিয়া কৰাব প্ৰথা হল। কিন্তু ৰাজ্যশাসনৰ ভাৰ থাকে নিজৰ হাততহে ৰাখিলে। দ্বিতীয় 'ৰাণাভালোনাই' পুনৰ প্ৰথম ৰাদামাৰ মত গ্ৰহণ কৰি এখন দলিল চহি কৰে, ইয়াকেই মাদাগাস্কাৰবাসীৰ জাতীয় 'মেগনাকাৰটা' (Magnacharta) বুলিব পাৰি। এই দলিলমতে প্ৰজাবিলাকে ধৰ্ম্ম আৰু উপাসনা কৰিবলৈ সম্পূৰ্ণ স্বাধীনতা পালে।

এই গৰাকীয়ে তেওঁৰ স্বামী প্ৰধান মন্ত্ৰীৰে একগোট হৈ খৃষ্টান ধৰ্ম্ম গ্ৰহণ কৰে। খৃষ্টধৰ্ম্মৰ প্ৰতি আকৃষ্ট হোৱাৰ লগে লগে তেওঁ ৰাজপ্ৰাসাদৰ সকলোবিলাক দেৱ-দেবীৰ মূৰ্ত্তি ভাঙি, পুৰি, ধ্বংস কৰি পেলালে। পুনৰ মাদাগাস্কাৰত খৃষ্টান ধৰ্ম্ম ৰাবিষাৰ বানপানীৰ দৰে বিয়পিবলৈ ধৰিলে। ৰজা ৰাণীয়ে খৃষ্টধৰ্ম্মত দীক্ষিত হোৱা উদাহৰণে গোটেই ৰাজ্যৰ প্ৰজাক এই নতুন ধৰ্ম্ম লবলৈ উদগনি দিলে। পাদ্ৰীবিলাকৰ প্ৰচাৰ কাৰ্য্য সুচাক ৰূপে চলিবলৈ ধৰিলে। কেইবছৰমানৰ ভিতৰতে খ্ৰিষ্টান সংখ্যা কুৰি শ



ভাৰত ওলমি ৰহি থোৱা এগৰাকী মাদাগাস্কাৰৰ ভদ্ৰ মহিলা

ৰাজিল। এইদিনিতে এটা কথা মন কৰিবলগীয়া ; হভাবিলাকৰ মাজত সিবিলাক শান্ত প্ৰকৃতিৰ সিহঁতেহে খৃষ্টান ধৰ্ম্ম গ্ৰহণ কৰিছিল। পৰ্ব্বতত থকা দুৰ্দ্দান্ত স্বভাৱৰ হভাবিলাকে কিন্তু পাদ্ৰীবিলাকৰ কথাত কৰ্ণপাতকে নকৰিছিল। য়ুৰোপীয়বিলাকৰ মন আৰু বন্দুকৰ বাহিৰে আন কোনো বস্তুৰে সিহঁত পক্ষপাতী নাছিল।



মাদাগাস্কাৰৰ মুনিহ তিৰোতাই পথাৰত লেতি কৰাৰ দৃশ্য

সিবিলাকে এই ধৰ্ম্ম গ্ৰহণ কৰিছিল, সিহঁতৰ ভিতৰতো ধৰ্ম্মৰ প্ৰতি অতি কম অনুৰাগ দেখা গল। খৃষ্ট ধৰ্ম্মৰ বাহ্যিক আৰম্বৰবিলাকৰ বাহিৰে তাৰ সাৰত্ব কথাই সিহঁতৰ মনত ঠাই নাপালে। ছ'ভাবিলাকক খৃষ্টান কৰি খৃষ্টান ধৰ্ম্মৰ মৰ্য্যাদা লাঘব কৰাৰ বাহিৰে আন একো ফল নহল। এজন দূৰদৰ্শী পাদ্ৰীয়ে কৈছিল যে খৃষ্ট ধৰ্ম্মৰ বীজে মাদাগাস্কাৰত তাপ পাই সেই সময়ত অতি সোনকালে



পাঁচ নাৰৰ কোৰ লৈ মাদাগাস্কাৰবাসীয়ে খেতিৰ কাৰণে মাটি চহাইছে

গুচালি মেলি উঠিছিল ; কিন্তু স্বাধীনভাৱে বৃদ্ধি হবলৈ তাত মাটি নাপালে।

সি যি কি নহওক খৃষ্ট ধৰ্ম্মৰ ভাবে মাদাগাস্কাৰ দুই গোটাৰ লগে লগে সভ্যতাৰ পোহৰ আগতেকৈ ছগুণে ফুটি ওলাল। পাদ্ৰীবিলাকৰ অনুগ্ৰহতে এই দ্বীপত অনেক বিদ্যালয় প্ৰতিষ্ঠিত হল। খৃষ্টানৰ বাইবেল শাস্ত্ৰ ছ'ভাৰ দেশীয় ভাষালৈ অনূদিত হল। লগে লগে মুদ্ৰাযন্ত্ৰৰ প্ৰতিষ্ঠা হল। তেতিয়াবেপৰা মাদাগাস্কাৰত ফৰাছী আৰু ইংৰাজী ভাষাৰ বাতৰি কাকত প্ৰচাৰ হল। হ'ভাবিলাকে য়ুৰোপি আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি পৰিত্যাগ কৰি পাশ্চাত্য প্ৰথা অনুকৰণ কৰিবলৈ ধৰিলে। সাধাৰণপৰা উচ্চপদস্থ লোকলৈকে বিদেশীৰ পোছাক পৰিচ্ছদ ব্যৱহাৰ কৰি বিদেশীৰ আহাৰ গ্ৰহণ কৰি, বিদেশীৰ চলন-বলন, হাব-ভাব অনুকৰণ কৰি, আন কি



মাদাগাস্কাৰৰ হভা জাতিৰ এটি নাচৰ দৃশ্য

শাসন সংস্কাৰতো বিদেশীৰ নিয়ম-প্ৰণালী অনুসৰাই মাদাগাস্কাৰবাসীয়ে জাতীয়ত্ব জলাঞ্জলি দি বিদেশী সৌতত আগোন গা এৰি দিলে। য়ুৰোপি শাসন-প্ৰণালী উনটি য়ুৰোপৰ দৰে ইয়াতো 'কেবিনেট' (Cabinet) প্ৰধান মন্ত্ৰী (Prime minister) আৰু বিদেশী কাৰ্য্যালয় (Foreign office) আদি অনুষ্ঠানবিলাক সোমাবলৈ ধৰিলে। সামৰিক বিভাগতো, সকলো বিদেশীৰ হাতত পৰিল, লগে লগে নাম মাত্ৰ এদল হ'ভা জাতীয় পল্টন গঠিত হল।

আগানৰ দৰে স্বাধীন জাতিয়ে এই অনুকৰণৰ দ্বাৰা অনেক লাভ কৰিলেহেতেন, কিন্তু মাদাগাস্কাৰবাসীৰ লাভ

হোৱা দুবৰ কথা নিজৰ মুলকো হেকৰালে। হভাবিলাকৰ বল-বীয়া গল,নৈতিক চৰিত্ৰত কেৱোণ লাগিল। ভাৰতবৰ্ষৰ দৰে ইয়াতো কেউফালে ভ্ৰষ্টলতাই দেখা দিলে। লাহে লাহে ভেটি লোৱা (bribery) প্ৰথা শাসন সংক্ৰান্তৰ



মাদাগাস্কাৰৰ পশ্চিম অঞ্চলত থকা ছাকালাভা নামৰ এটি যুঝাৰু জাতি

মাজলৈ সুমুৱাই ৰাজশক্তিবো বল কমালে। প্ৰধান মন্ত্ৰী আৰু ৰাণীয়ে ইয়াৰ কোনো প্ৰতিকাৰ নকৰি নিজেও ভেটি লোৱা প্ৰলোভনত আট খালে। ৰাজ্যৰ উচ্চপদ বিলাক ধন লৈ বেচিবলৈ লাগিল। প্ৰাদেশিক শাসনকৰ্ত্তা বিলাক দণ্ডহাৰ পৰিবৰ্ত্তে সিবিলাকৰ অধীনস্থ প্ৰজাবিলাকক শোষণ কৰিবলৈ ক্ষমতা দিলে। অন্যায়, অত্যাচাৰ আৰু উপদ্ৰৱত হ'ভা ৰাজ্যৰ সুখ শান্তি দূৰ হল। ইফালে ৰাজকাৰ্য্যতো বিদেশীৰ আমদানী হল, চাওঁতে চাওঁতে শাসন-তন্ত্ৰ একেবাৰেই দুৰ্ব্বল হৈ পৰিল।

সোতৰ শতাব্দীৰ মাজভাগ পাওঁতেই মাদাগাস্কাৰৰ স্বাধীন বেলি আঙ্কাৱত লুকাব ধৰিলা হল। ফৰাছীবিলাক সেই সময়ত আছি মাদাগাস্কাৰৰ দক্ষিণ অংশ অধিকাৰ কৰি 'ডফিন' দুৰ্গ (Fort Dauphin) সাজে। ফৰাছীবিলাকে মাদাগাস্কাৰবাসীৰ আক্ৰমণ অতি সহজেই ওফৰাই পেলালে। দুশ বছৰ কাল ফৰাছীবিলাকে মাদাগাস্কাৰত সুবিধা ৰকমে প্ৰতিষ্ঠা হোৱা নাছিল। সমস্ত মাদাগাস্কাৰ তেওঁলোকৰ অধীনলৈ অনাই তেওঁলোকৰ উদ্দেশ্য। ১৮০৫ খৃষ্টাব্দত হ'ভাবিলাকে মাদাগাস্কাৰৰ পৰা বিদেশীক দূৰ কৰিবৰ কাৰণে তলে তলে সষ্টম ছবলৈ দবিলে। কেউফালে যুদ্ধৰ জুই জ্বলি উঠিল। ইতিমধ্যে ফৰাছী সৈন্যৰ আমদানী আগতকৈও দুগুণে বাঢ়িল। ফৰাছীয়ে এইবাৰ হভা ৰাজধানী 'আণ্টানা নাৰিভো' (Antananarivo) আক্ৰমণ কৰিলে। হ'ভাবিলাকে অশেষ যত্ন কৰিও ফৰাছীবিলাকৰ বাট বন্ধ কৰিব নোৱাৰিলে। কিন্তু মাদাগাস্কাৰৰ পথ ঘাটৰ দুৰ্গমতাই আৰু মেলেৰীয়া অৱে ভালেমান বিদেশীৰ প্ৰাণ হানি কৰিলে।

মেত্তিয়া শতৰ দুন্দুভি ৰাজদুৱাৰত বাজি উঠিল, ৰাণী তৃতীয় ৰাণাভলোনাই (Ranavolona III) ওজস্বিনী বক্তৃতা দি বণুৱাবিলাকক উত্তেজিত কৰিলে। দিমিক ধামাকৈ অলি থকা স্বাধীনতাৰ জুই কুৱা আকৌ ধোঁৱাহ শেষবাৰলৈ জ্বলি উঠিল। হ'ভাবিলাকে মাদাগাস্কাৰৰ স্বাধীনতাৰ কাৰণে প্ৰাণ দিবলৈ প্ৰতিশ্ৰুত হৈ যুদ্ধ ক্ষেত্ৰত নামিল। কিন্তু দুখৰ বিষয়, ৰবটোপৰ গুলী দেখিছেই সিহঁতৰ সাহ-পিত কমি গল। বেছি ভাগ বণুৱাই পালেই প্ৰাণ ৰক্ষা কৰিলে। সেই সময়ত 'কৰ্ণেল ছেভিটেন' নামে এজন ইংৰাজে হ'ভাবিলাকৰ সামৰিক বিভাগত কাম কৰিছিল। দেশীয় মানুহবিলাকৰ কাপুৰুষতাত খং উঠি



... বাইৰ এটি চাৰি ফুট দীঘলীয়া বাদ্যযন্ত্ৰ লৈ এগৰাকী যুৱতী

তেওঁ আগতে অস্ত্ৰ পৰিত্যাগ কৰিলে। ৰাণীয়ে আত্মৰক্ষা কৰিবলৈ উপায় নাপাই শেষত তিনি হাজাৰ বণুৱাৰে আত্ম সমৰ্পণ কৰিলে। যুঁজাৰৰ সময়ত দপ, দপকৈ চাৰি অলি উঠি শেষত একেবাৰেই নুমাই গল।

ফৰাছীবিলাকে 'আণ্টানা নাৰিভো' নগৰ অধিকাৰ কৰিয়েই ৰাণীৰ স্বামী প্ৰধান মন্ত্ৰীক পদচ্যুত কৰিলে।



পশ্চিমীয়া সভ্যতাত শিক্ষিত হোৱা মাদাগাস্কাৰৰ কিছমান অধিবাসী

তাৰ পাছত বেইবছমানলৈ ফৰাছীবিলাকেই ৰাণীৰ নামে ৰাজকাৰ্য্য চলাই শেষত গোটেই মাদাগাস্কাৰৰ শাসন-ভাৰ তেওঁলোকৰ অধিকাৰলৈ আনিলে। দেশ জয় কৰি ফৰাছীবিলাকে পৰ্ব্বতত থকা দুৰ্দ্দান্ত মানুহবিলাকক দমন কৰিলে। আৰু এই দ্বীপৰ হাবি বনবিলাক কাটি বন্ধ হোৱা পানী মুকলি কৰি দেশ সংগঠন কামত লাগিবলৈ ধৰিলে। দেশীয় মানুহবিলাকক বণুৱা বিভাগত সুমুৱাই ললে।

ফৰাছীবিলাকে মাদাগাস্কাৰ অধিকাৰ কৰিছে যদিও ইয়াৰপৰা তেওঁলোকৰ কিমান লাভ হব এই বিষয়ে তেওঁ বিলাকৰেই যথেষ্ট সন্দেহ আছে। এই দেশ অধিকাৰ কৰিবলৈ আহি তেওঁলোকৰ অনেক ধন আৰু প্ৰাণ ক্ষয় হল। ইয়াৰ স্বাস্থ্য উপনিবেশ স্থাপনৰ উপযোগী নহয়। আন ফালে চালে, ফৰাছী দেশৰ লোক সংখ্যাও সিমান বেছি নহয়, যাতে থাকিবলৈ ঠাইৰ অনাটন হৈ দুব দেশত উপনিবেশ স্থাপন কৰিব।

বেহা-বেপাৰতো তেওঁলোকৰ অতি লাভ হোৱা নাছিল। ইয়াৰপৰা তেওঁলোকে ৰবৰ, চামৰা, শিং, কাঠ আৰু নানা ফল-মূল বিদেশলৈ ৰপ্তানী কৰিছে। ইয়াৰ নৈবিলাকত সোণ থকাৰ প্ৰমাণ পোৱা গৈছে; কিন্তু তাৰ পৰিমাণ অতি কম। তাৰপৰা বিশেষ লাভ হোৱাৰ আশা কম। ইয়াত কয়লাৰ খনি আছে, কিন্তু তাক আবিষ্কাৰ কৰাহে কঠিন। বহুতে অনুমান কৰে যে কুঁহিয়াৰ আৰু কষ্কিৰ খেতি ইয়াত ভালদৰেই হব।

ফৰাছীৰ অধীনত মাদাগাস্কাৰ আছে যদিও ইয়াত কিছুমান কৰ্ম্মচাৰী আৰু বণুৱাৰ বাহিৰে বেছি ফৰাছী জাতীয় মানুহ নাই। বেহা-বেপাৰ অন্যান্য যুৰোপীয়



পূৰ্ব্বদক্ষিণ অঞ্চলৰ সমবয়স্কিত কেইজনমান ছেকা

জাতিৰ হাতত। এই দ্বীপৰ পশ্চিম আৰু উত্তৰ পশ্চিম ফালে ভালেমান হিন্দু আৰু চীনা মানুহ আছি ব্যৱসায় সূত্ৰত মাদাগাস্কাৰত বসতি স্থাপন কৰিছে।

কৃষ্ণকুমারী

(আগৰ সংখ্যাৰ পাছৰপৰা)

নাটক] —শ্রীযুত প্রভাতচন্দ্র অধিকারী

৩য় দৃশ্য

উদয়পুৰ

ৰাজ-মন্দিৰৰ চোতাল

[প্রাঙ্গন সন্ধ্যালীপালোকিত আৰু ধূপ-ধূনা চন্দনৰ গন্ধামোদিত। গধূলিৰ আৱতি হৈ গ'ল, ৰাত্তিও থামি গ'ল ; কৃষ্ণা আৰু লীলাবাঈৰ প্রৱেশ।]

লীলা। কুমাৰি! তুমি আমন-জিমনকৈ নাথাকিবা। সদায় এনেকৈ মন মাৰি থাকিলে মই ওচি যামগৈ।

কৃষ্ণা। নাযাবা সখি! নাযাবা। মনত সুখ নাই, ক'তো শান্তি নাপাওঁ, বুকুৰ ভিতৰত একুৱা জুই দপ্‌দপকৈ জ্বলিব লাগিছে। পোৱনিৰ জ্বালাত বলিয়া কুকুৰৰ দৰে লৰি ফুৰিছোঁ, গাত তত নোহোৱা হৈছে, কতো তৰণি নাপাওঁ। তুমি মোক এৰি নাযাবা।

লীলা। সখি, তুমি কাতৰ নহবা। তোমাক এনে অধিৰ দেখিলে, মই স'ৰ নোৱাৰোঁ—মোৰ বুকুখন ফাটি যাব খোজে। তোমাৰ কি হৈছে, মোক নোকোৱানে ?

কৃষ্ণা। দুখ নকৰিবা সখি! বিধাতাই মোক মাৰিছে, তুমি কি কৰিবা! ঈশ্বৰে মোৰ সুখৰ সপোন ভাঙি দিছে, তুমি কি কৰিবা! কোনোবা এজনে নেদেখা পুকুষে মোৰ হিয়াৰ মাণিক কাঢ়ি নিছে, তুমি কি কৰিবা, কোনে কি কৰিব ?

লীলা। তুমি এইবোৰ কি কৈছা ? ভগৱানৰ গাত কিয় দোষ দিছা ?

কৃষ্ণা। একো নকওঁ ; ঈশ্বৰৰ গাতো একো দোষ নিদিওঁ কিন্তু কোনোবা এজনৰ গাত দোষ আছে। সি কোন কব পাৰানে সখি? ঈশ্বৰ নহয়, বিধাতা নহয়, অদৃষ্ট নহয়, তেন্তে কোন ? মই নিজে ? হব পাৰে; মোৰ ভাগ্যাৰ শনি-গ্রহ মই নিজে। পিতাৰ চিন্তাকুল, উদ্‌ভ্রান্ত দৃষ্টি, আইৰ চকুৰ পানী, আৰু, আৰু এজনৰ কাকুতি-মিনতি—এজন ভিখাৰীৰ ; শুনিলে বুকু-ফাটি যোৱা কৰুণ ভিক্ষা ; এইবোৰৰ মই একো কৰিব নোৱাৰোঁ। নোৱাৰোঁ, নাই ; ভগৱানে মোক মাৰিছে, মাৰক। বাধা নিদিবা সখি, মাৰিবলৈ দিয়া।

লীলা। সখি! এইবোৰ কি কোৱা ? কোনে তোমাক মাৰিব ? তুমি মৰিবা কিয় ? জীৱনৰ ভৰ দুপৰত, তোমাক এনে ৰূপ, গাত কেচা সোণৰ লাৱনি—

কৃষ্ণা। তোমাৰ ভৰিত ধৰিছো সখি! ৰূপৰ কথা আৰু নকবা! এই ৰূপেই মোৰ কাল হ'ল। আজি এই ৰূপৰ কাৰণে খোৱা কামোৰা, বাজ্যময় প্রলয়ৰ নাচোন চলিছে। এই ৰূপ ধ্বংস হৈ নোযোৱালৈকে কাৰো শান্তি নাই, কাৰো সুখ নাই—জিৱণি নাই। উস্! তিৰোতাৰ ৰূপৰ কাৰণে পুকুষৰ কি ঘৃণীয়া দৃষ্টি, কি নিলাজ লালসা, কি উগ্র কামনা! এডোখৰ কেচা-মঙহৰ কঠুৱা পৰশ অনুভৱ কৰিবলৈ কি বিষ লগা উন্মত্ত ব্যগ্রতা! সখি! নৰক দেখিছানে? পুকুষৰ ভিতৰ বাজ, দুয়োটাই নৰক—গেলা, পচা, দুর্গন্ধময় নৰক। (ওপৰলৈ চাই) আকৌ আহিল, আহা,—হাঁহি হাঁহি আহা। মনে মনে তোমাৰ কথাই ভাবিছোঁ। ভাবিছোঁ, তুমি বেছ ফাকি দিলা; খিলিজি আলাউদ্দিনে নিজৰ মুৰ নিজে চোবাই খালে। হাঃ হাঃ হাঃ!

(একে থিৰে ওপৰলৈ চাই থাকে)

লীলা। (উচপ্ খাই) সখি! সখি! তুমি এনে কৰিছা কিয় ? কথা কোৱা। উঃ, মই আইক মাতি আনোগৈ—

(প্রস্থান)

কৃষ্ণা। কিন্তু, তুমি দেৱী ; তুমি গাবিছা। মই পাৰিম নে ? এজনলৈ মনত অলপ দুখ বল ; সি অজিতসিংহ বেচেৰা অজিত—আহা। মইনো কি কৰিম ? তুমি কি কোৱা ?

(বাণী আৰু লীলাবাঈৰ প্রৱেশ।)

মৰিবলৈ কোৱা, মৰিম ;—তোমাৰ কথা আৰু নেপেলাওঁ।

বাণী। কৃষ্ণা, মোৰ আই! নেমাত কিয় ? আই, কৃষ্ণা!

কৃষ্ণা। সখি!—স', কোন, আই! উস্—

বাণী। হে ভগৱান! কি কৰিলা প্রভু! মোক কি দেখুৱালা। এনে দৃশ্য দেখুওৱাতকৈ মোক মাৰি নিয়া প্রভু! ৰাতি-দিনে তিল তিলকৈ পুৰি নামাৰিবা।

কৃষ্ণা—আই! তুমি দুখ কৰিছা কিয় ? মোৰতো একো হোৱা নাই। কেৱল এটি সপোন দেখিছিলোঁ,—যেন স্বৰগৰ অপেশ্বৰী এজনীয়ে মোক মাতিব লাগিছে। আই! অপেশ্বৰীজনী দেখিবলৈ কেনে ধুনীয়া!

বাণী—মিছা নামাতিবি আই! দিঠকত কোনোবাই সমাজিক দেখেনে ? বুজিছোঁ, মোৰ কপাল ভাগিছে, মোৰ ভৱা নাও মাজনৈত ডুব গৈছে। দেৱকুলা স্বামী মোৰ চিন্তাৰ জ্বালাত ঘুৰি ফুৰিছে—বাতি টোপনি নাই ; দিনত জিৱণি নাই, খোৱাত কচি নাই। তেওঁৰ অভাগিনী ভাগ্যা মই,—মোৰ লগত দুটা কথা পাতিবলৈ এগন্ধেক আজৰি নাই। জীৱনৰ স্নেউতি একমাত্র কন্যা মোৰ, আজি বলিয়াৰ দৰে আউলি-বাউলি হৈ ফুৰিছে। তাইৰ এই দুর্গতি, এই যন্ত্রণা-কাতৰ, ছিন্না-পমি যোৱা কৰুণ-দৃশ্য আজি নিজ চকুৰে দেখিলোঁ! প্রভু, দয়াময়! এই দুখৰ যাতনা, মোৰ সোণৰ পুতলাই স'ৰ পাবেনে ? মোৰ যে ভয় লাগে জানোবা এই যাতনা স'ৰ নোৱাৰি কোনোবা দিন মোৰ বুকৰ মাণিক মোৰ বুকুখন সুদা কৰি গুচি যায়।

লীলা—কুমাৰি! আইক থিৰ হবলৈ কোৱা। আই! আপুনি অধীৰ নহব।

কৃষ্ণা—তুমি বেজাৰ নকৰিবা আই! তুমি মোৰ বিয়াৰ কাৰণে একোকে ভাবিব নালাগে, মই বিয়া নকৰাওঁ ; আজীৱন কুমাৰী হৈয়েই থাকিম। সেয়ে মোৰ জীৱনৰ একমাত্র ব্রত হব। তাত মোৰ অকণো দুখ নাই, অলপো বেজাৰ নাই। মই বং মনেৰে নিজৰ বাট নিজে বাছি লৈছোঁ। মই বুজিব পাৰিছোঁ, চিৰকুমাৰী হৈ থাকিব পাৰিলেই মই জীৱনত শান্তি পাম।

বাণী—শান্তি ?—শান্তিনে অশান্তি, সুখ নে দুখ পাবি কৃষ্ণা ? আই ! তই কব পাবনে, কোন মাতৃ-প্রাণ এনে পাষাণেৰে গঢ়া যে দহ মাহ দহ দিন গর্ভত ধাৰণ কৰি, বুকৰ তেজ পানী কৰি জনম দিয়া ছোৱালীক আজীৱন কুমাৰী হৈ থাকিবলৈ কব পাবে ? যদি কেৱে পাবে, তাই মানুহ নহয়, হয় দেৱী, নহয় ৰাক্ষসী অসাৰ্থক আই যোপাইৰ ওপৰত অভিমান কৰি নিজক অশান্তিৰ অগা-জুইত পুৰি নেমাবিবি আই! তোৰ কুমাৰী বেশ, দীন, মলিন ছবি কোন সতেৰে মই চাই থাকিম ? তাতকৈ মোৰ বুকৰ ভিতৰত একুৱা তুহব জুই আলি দে মই তিলে তিলে দেই-পুৰি ছাই হৈ যাওঁ।

[পট-পৰে]

ফুলনি।

[অজিতসিংহ আৰু গুৱন দাস।]

অজিত—একো ভাল লগা নাই। নির্জ্জনতাৰ শান্তি, মানুহৰ সঙ্গ—একোকে ভাল লগা নাই। কি বাবে কি কৰিলোঁ এতিয়া ভাবিলে বিচৃত্তি থাওঁ। এটি সোণৰ মায়ামৃগৰ পাছে-পাছে লৰি ফুৰিলো—কিন্তু ধৰিব নোৱাৰিলো। পাৰিম কেনেকৈ—? য'ক, তুমি আকৌ ইয়ালৈ আনিলা কেনৈ ?

গুৱন—এনেয়ে। শুনা, ভাল লাগিব, আগেয়ে যেনে লাগিছিল ঠিক তেনে ভাল লাগিব। মাথোন দুটি দিন যাবলৈ দিয়া।

অজিত—দিন যাব, ৰাতিও পুৱাব ; কিন্তু ফই জীৱনত আগৰ সুখ, আগৰ শান্তি, আগৰ সেই ভৰপূৰ মন আৰু ঘূৰাই নাপাম। সুখ-শান্তিৰ নিজৰা শুকাই নীৰস-নিপানী হৈ গৈছে। পৰি আছে টান মাটিৰ এটি শুকান স্তূপ মাথোন ; তাত ৰহ নাই, জীৱ নাই।

যুৱন—অজিতসিংহ ! তুমি মনে মনে ভাবিছা পৰাস্ত ভীমসিংহে বিজয়ী মানসিংহৰ হাতত নিজৰ ছোৱালীক উপযাচি অৰ্পণ কৰি সন্ধি স্থাপন কৰিব—নহয়নে ? তোমাৰ ধাৰণা সমূলি ভুল ; গৰ্ব্বিত ৰাণাই কেতিয়াও ইমানখিনি হীনতা স্বীকাৰ নকৰে। মনৰ অশান্তি দূৰ কৰা, তোমাৰ আশা পূৰ্ণ হব। এইবাৰ আৰু ফাঁকি দিব নালাগে বন্ধু, প্ৰতাৰণা কৰিব নালাগে। প্ৰকৃত বীৰৰ দৰে যুদ্ধ কৰি মানসিংহক খেদি দূৰ কৰি দিবা মাথোনা, তেনেহলেই তোমাৰ বাট মুকলি।

অজিত—আৰু নালাগে ভাই ! ইমানেই হল। ভবিষ্যত বৰ আন্ধাৰ। আগেয়ে অতীতৰ বাবে পৰাচিত কৰোঁ, ভবিষ্যত পাছে-পৰে।

যুৱণ—কি অতীতৰ কথা কোৱা, কি ভবিষ্যতৰ কথা কোৱা মই হলে একো বুজিব পৰা নাই। বাৰু য'ক, এতিয়া মনটো অলপ পাতলাই লোৱাচোন (ইঙ্গিত কৰে)।

[এজনী নাচনীৰ প্ৰৱেশ আৰু গীত]

মই ফুলনিৰ ফুল-বধু।
মোৰ বুকু ভৰা
ফুল-মধু—ফুল-মধু।
মই শিশিৰ-স্নাত ফুল-বালা
মউসনা
সুৰ-মৃদু—সুৰ-মৃদু।
বনমধুকৰ-গুঞ্জন-গীতি
ঢালে হিয়াভৰি আকুল পীৰিতি ;
আজি কি জোনালি ৰাতি !
মউ-পিয়া ঢালে যাদু।

(প্ৰস্থান)

অজিত—শুনিলোঁ ; পুখুৰীৰ আৱদ্ধ পচা পানীত গা ধুলে যেনে দুখ লগা বিকট আনন্দ, ঘিণ-লগা তৃপ্তি পোৱা যায়, শুনি শুনি মই ঠিক তাকেই পালোঁ। ৰাৱনৰ চিতাৰ জুই তুমি একবিন্দু নিয়ঁৰৰ পানীৰে নুমাবৰ চেষ্টা কৰিছা। যোৱা, বিৰক্ত নকৰিবা, মোক অকলে থাকিবলৈ দিয়া।

যুৱন—(স্বগত) এই পালী দৰব অথলে গ'ল। বাৰু চুঙা চাই সোপাৰ ব্যৱস্থা কৰা যাব। (প্ৰকাশ্যে) তুমি খং কৰিছা কিয় হে ? আহা, আহা, ৰণৰ ভাগৰ তোমাৰ এতিয়াও পলোৱা নাই যেন পাইছোঁ, সেয়েহে বেয়া লাগিছে। আহা নিজৰ ঘৰলৈ আহি নিশ্চিন্তমনে অলপ জিৰণি লোৱাহি।

(দুয়োৰে প্ৰস্থান)

৫ম দৃশ্য।

মানসিংহৰ বাহৰ।

[মানসিংহ আৰু আমীৰ খাঁ]

মান—খাঁ ছাহেব ! সেনাবিলাকক বাহৰ তুলি শীঘ্ৰে ৰাজধানীলৈ ঘূৰি যাবৰ আদেশ দিয়া, যেন পলম নকৰে।

আমীৰ—কিন্তু আপোনাৰ উদ্দেশ্য এতিয়াও সফল হোৱা নাই—

মান—বুজিলোঁ ; এতিয়া বাট মুকলি হল মাথোন, উদ্দেশ্য সিদ্ধ হবলৈ আৰু অধিক পলম নাই।

আমীৰ—আপোনাৰ কথা বুজিব নোৱাৰিলোঁ। আজিৰ এই সোণালী সুযোগ এৰি দিলে পাছত কেনেকৈ আকৌ এই সুচল পোৱা যাব বুজিব নোৱাৰিলোঁ।

মান—পাৰিবা, মই বুজাই দিম।—কোন আছ ?

[এজন দুৱৰীৰ প্ৰৱেশ।]

মান—সতীদাস—

আমীৰ—মহাৰাজে সতীদাসৰ কি ব্যৱস্থা কৰিব খুজিছে ?

মান—সেই বিষয়ে বিশেষ একো ভবা নাই। যি হ'ক এটা কিবা কৰিব লাগিব।

[বন্দী সতীদাসক লৈ দুৱৰীৰ পুনঃ প্ৰৱেশ।]

মান—সতীদাস ! তুমি এতিয়া বন্দী।

সতী—মহাৰাজে নকলেও মই বুজিবলৈ টান পোৱা নাই।

মান—অৱশ্যে টান পাবৰ কথা নহয়। যি হওক, বিজিত বন্দীক বিদ্ৰূপ কৰা মোৰ উদ্দেশ্য নহয় আৰু সেইবাবে তোমাক ইয়ালৈ মাতি অনা নাই, আনিছোঁ এৰি দিবলৈ। সতীদাস ! তুমি মুক্ত। দুৱৰী ! বান্ধ মোকোলাই দিয়া (দুৱৰীয়ে বান্ধ মোকোলাই দিয়ে)।—কিন্তু এটি সৰ্ত্ত আছে। এতিয়া বোধকৰোঁ তোমাৰ ৰাণা আৰু তুমি কেৱে অস্বীকাৰ নকৰিবা যে ৰাজা মানসিংহ জগতসিংহতকৈ কোনো গুণে হীন নহয়। আৰু কুঁৱৰী কৃষ্ণাৰ পাণি গ্ৰহণ কৰিবলৈকো অযোগ্য নহয়। বিজিত, বিধ্বস্ত ভীমসিংহৰ সুন্দৰী কন্যা কৃষ্ণকুমাৰীক বলেৰে কাঢ়ি লোৱা এতিয়া মোৰ পক্ষে অতি উজু কথা,—নহয়নে ? কিন্তু মই ইমান হীন নহওঁ যে নাৰীত্বৰ অপমান কৰোঁ। বাপেকৰ অপৰাধৰ বাবে জীয়েকৰ দণ্ড-বিধান কৰোঁ। তুমি ৰাণা ভীমসিংহক কবা যে তেওঁ স্বইচ্ছাৰে তেওঁৰ কন্যা মোক অৰ্পণ কৰিলে, মই তেওঁৰে সৈতে মিত্ৰতা কৰিবলৈ সম্পূৰ্ণ ৰাজী আছোঁ ; কিন্তু ইয়াৰ অন্যথা হলে ধ্ৰুৱ জানিবা, তোমাৰ লগত মোৰ এই ৰণক্ষেত্ৰতেই পুনঃ সাক্ষাৎ হব। সম্প্ৰতি ৰাণাৰ উত্তৰলৈ মই বাট চাই ৰলোঁ।

সতী। এনে সৰ্ত্ত গ্ৰহণ কৰিবলৈ মই অক্ষম। মই মুক্তি নিবিচাৰোঁ ; আপুনি ইচ্ছা কৰিলে এই মুহূৰ্ত্ততে মোক পুনঃ বন্দী কৰিব পাৰে।

মান। এবাৰ মুক্তি দিয়া বন্দীৰ হাতত ৰাজা মানসিংহে পুনঃ শিকলি নিদিয়ে। বীৰৰ প্ৰতি বীৰৰ এয়েই যোগ্য আচৰণ। তোমাৰ ইচ্ছা হয়, মোৰ অভিপ্ৰায় ৰাণাৰ আগত ব্যক্ত কৰিবা, নহয় নকৰিবা। মোৰ তাত একো হানি নাই। তুমি স্বীকাৰ নকৰিলেও এই সৰ্ত্ত সৰ্ত্তই থাকিব। আহা সদাগৰ !

[যুৱনদাসৰ প্ৰৱেশ ; সতীদাস আৰু যুৱনদাসে পৰস্পৰ মুখলৈ চোৱা-চুই কৰে।]

সতী। কুমাৰ ! আপুনি শত্ৰুৰ শিবিৰত ?—

যুৱন। কিবা অন্যায় কৰিছোঁ সেনাপতি ?

সতী। অন্যায় ! ঘোৰ অন্যায় কৰিছে। আপুনি ভাতৃদ্ৰোহী !

যুৱন। আৰু—

সতী। আৰু—আপুনি ৰাজদ্ৰোহী বিশ্বাসহন্তা ! শত্ৰুৰ লগত মিলিত হৈ ষড়যন্ত্ৰ কৰিছে।—

যুৱন। তুমি আশা কৰিছিলা মোৰ বুকত ৰাজভক্তি, ভাতৃভক্তিৰ সাগৰ উতলি উঠিব ; তুমি ভাবিছিলা জাৰজ পৰম বিশ্বাসী, পৰম ৰাজভক্ত আৰু পৰম ভাতৃভক্ত হব। নহয়নে সেনাপতি ?

মান। আমীৰ ! কি আচৰিত কথা ! এই সদাগৰ কোন ? এওঁৰ পৰিচয় কি ?

আমীৰ। মহাৰাজ ! মোৰ সতৰ্ক বাণী স্মৰণ কৰক। এওঁ ৰাণা ভীমসিংহৰ বৈমাত্ৰেয় ভাই—ছদ্মবেশী যুৱণদাস।

যুৱন। ভুল কৰিলা আমীৰ খাঁ ! কোৱা যে এওঁ ভীমসিংহৰ পিতা ৰাণা অৰিসিংহৰ ৰক্ষিতাৰ গৰ্ভজাত জাৰজ সন্তান। সেয়েই মোৰ প্ৰকৃত পৰিচয়।—সেনাপতি মহাশয় ! ৰাজভক্তি, ভাতৃভক্তি, বিশ্বাস—এইবোৰ কথাৰ কথা মাথোন ; উচ্চাৰণ কৰিলে গাল-মুখ ভৰি যায় কিন্তু একান্ত অৰ্থহীন। নহলে মই কি অপৰাধ কৰিছিলো সেনাপতি ! যাৰ বাবে মোক কুকুৰৰ দৰে ৰাজ সভাৰপৰা খেদি বাজ উলিয়াই দিব লগা হৈছিল ? কোন ৰাজদ্ৰোহ, কিবা ভাতৃদ্ৰোহ আচৰণ কৰিছিলো যে ৰাজসভাৰ সিংহদ্বাৰ মোৰ বাবে চিৰকাললৈ ৰুদ্ধ হৈছিল ? কোৱা সেনাপতি ! বুকৰ তেজ পানী কৰি, অতি দৰিদ্ৰ, নিতান্ত নিঃকিনৰ দৰে উদয়পুৰৰ ৰাজসিংহাসনৰ তলত মূৰ দোঁৱাই ইমান দিন যে পৰি আছিলো, তাৰ এয়েইনে যোগ্য পুৰস্কাৰ ?—ন্যায়-অন্যায়ৰ কথা নকবা, বিশ্বাস-অবিশ্বাসৰ কথা নকবা, ভাল-বেয়াৰ কথা নকবা। তুমি ক্ষমতাৱান—ন্যায় তোমাৰ মনত অন্যায়, বিশ্বাস তোমাৰ মনত অবিশ্বাস, ভাল তোমাৰ মনত বেয়া। তোমাৰ ক্ষমতাৰ প্ৰভাৱত দিন, ৰাতি হয়, ৰাতি দিন হয় ; স্বৰ্গ নৰক

হয়, নরক স্বর্গ হয়!—মোর অপরাধ, মই জারজ! জারজ সিজন, তার অপরাধ ক'ত? অপরাধ জারজর! সেনাপতি! তোমার শরীরত যি তপ্ত রক্ত-প্ররাহ ব'য় লাগিছে, মোরো গাত সেই একে প্ররাহ; তার বঙ বগা নহয়—হালধীয়া নহয়; ঠিক তোমার গার তেজর দবে বঙা।—এই চোরা—(ছুরীবে নিজর হাতত আঘাত করে আক চটুপিয়ান তেজ বৈ পবে)! তথাপি, এই রক্ত থাবর বারে দায়ী কোন? মই, নে বাগা ভীমসিংহর পিতৃদেরতা অবিসিংহ?

[জিবণি-পট]

সন্ধিয়ার বন্তি

গল্প] —শ্রীযুত নলিনীনাথ ফুকন এম-এ, বি-এল

১

দবিত্রর দানব মূর্ত্তিটোক আগত লৈয়েই অজর ছাত্র-জীরনটো অতিরাহিত হৈছিল। ছ বছর বয়সত তেওঁর বাপেক ঢুকায়—সংসারত আছে কেরল মাক। লরা ভাল আছিল, প্রথম দ্বিতীয় হৈয়েই শ্রেণীবোর পার হৈছিল। কিন্তু দিদিনা প্ররেশিকা পরীক্ষার বাছনী পরীক্ষাত প্রথম হৈ পাছ হল, সেইদিনা তেওঁর অইনবোর লরার দবে আনন্দ লাগক ছাবি বেয়াহে লাগিল—ক'রপরা তেওঁ ২৫ টকা গোটাই বিশ্ববিদ্যালয়র "ফীজ" দিব! ইমানদিনে মাকে তেওঁক ঘরত সুতা কাটি কাপোর বে ফীজ কিতাপ পত্রর পইছা গোটাই দিছিল, কিন্তু আজি ইমানবোর টকা ক'র পরা দিব!

ধনী মানুহর ছরাবে ছরাবে তেওঁর অভার জনালে—কোনোরে বা ঘরর বাহিরেই নহল, কোনোরে বা চাকরর আগত কৈ পঠালে "ঘরত নাই বুলি কৈ"; কোনোরে কলে "বাপু ছবীয়া মানুহর লরাই পঢ়ির লাগিছে কেলেই, হাল-কোর ধরাগৈ, নহলে ক'রবাত কাম কাজ এটাকে বিচারি লোরা—মোরনো অকণে কিমান পঢ়িছিল? সি দেখোন 'মেট্রিক' পাছেই নহয়, তথাপি জানো তাহার ছহাবে তাক খাতির নকরাকৈ আছে! আজিকালি, বি-এ, এম-এ, পাছ করি কি হব? ২০ টকার কাম এটাকে নাপায়, মোরা মোরা মই একো দিব নোরারো—" "চাবি অনামানকে হলেও.....।" "নাই···নাই" বুলি হাত জোকারি ভিতর সোমায়।

অজই ভারে, হায় বিধি ইইতে শিক্ষার মোল বুজে, কেরল ধনহে চিনি পায়। লিখা-পঢ়া কেরল চাকরির বারেহে করে!

বহুতে অজক ঈর্ষার চকুরেও চাইছিল। নিজর লরাক ঘরত মাইর দিও পরীক্ষাত ভাল ফল পার নোরারিলে, এই ছবীয়া লরাটোরেনো কেনেকৈ করিলে! অজর প্রাণত বরকৈ লাগিল—"কিয় তাক সংসারলৈ ডাকারনে ছবীয়াকৈ পঠিয়ালে"।

ঘরলৈ উজতি আহি মাকক কয় তেওঁর আক পঢ়িব ইচ্ছা নাই, ক'রবাত কাম কাজ এটাকে..... । মাকে কয় "বাক বোপাই সেইবোর কথা পিছে পরেও করি, বেলি ছপর হল, ভাত খাছি।"

ছপরীয়া মাকে ১২ টকা কপ উলিয়াই দিয়ে, লগতে তেওঁর স্বামীর শেষ চিন এটা আঙুঠি দি কলে "এইটো বন্ধক দি বাকী কেই টকা আনগৈ।" অজর চকু ঢুলঢুলীয়া হল।

অজই অকল পাছ করিয়েই নেরিলে, বিশ্ববিদ্যালয়ত তৃতীয় স্থান অধিকার করি সকলোকে আচরিত করিলে। পাছ হোরার খবর ওলালত মাকক এরি সেরা করিলে। মাকে তেওঁর মুবটো দাঙি বু ত সুমাই মনে মনে আশীর্ব্বাদ করিলে—পুতেকর এই কৃতকার্য্যতাত তেওঁর তপত অশ্রু টপটপকে ররলৈ ধরিলে।

সাবিত্রী আছিল ডাঙর মানুহর ছোরালী; কিন্তু দুর্ভাগ্যবশতঃ পরিছিল আহি এজন নিধনী স্কুল পণ্ডিতলৈ। তেওঁ স্বামীর ঘর সোমারর দিনারপরাই মাকর ঘরলৈ ঘোরা নাই—যার করে! মাক নিচেই কেচুরাতে ঢুকায়, বাপেকর দ্বিতীয় পক্ষ—তার উপরি তেওঁ আছিল স্বামী-পরায়ণা—ঘরখন এরি যায় কেনেকৈ!

কৃষ্ণকান্ত মরিবর সময়ত পত্নীর হাতখন নিজর বুকর ওচরলৈ চপাই আনি কৈছিল "সাবিত্রি! মই তোমালৈ একোরেই এরি গৈ যার নোরারিলো, মোর পোনা অজক তোমার হাততে গটালো, পারা যদি তাক অলপ লিখা-পঢ়া শিকারা, তার ওপরত মোর বহুত আশা আছিল" কৃষ্ণকান্ত চুকারপরা আজি এই দহ বছর বিধরা সাবিত্রীয়ে এরেলা এঠি খাই অজক প্ররেশিকালৈকে পঢ়ালে। সাবিত্রীর মুতির নিশাস পরে, স্বামীর উদ্দেশ্যে শতকোটি প্রণাম জনায়।

কালর কুটিল গতি! সাবিত্রীয়ে কিন্তু পুতেকর সৌভাগ্য চাবলৈ নাপালে—ছদিনীয়া অরত অজক কলুরাই কোনোরা অজানা দেশলৈ গুচি গল।

* * * *

বুকত বেজারর বোজা লৈ অজই কলেজীয়া জীরন আরম্ভ করিলেগৈ। ছরর বাহিরে এখন এরাবারী আছিল। প্রবাদ আছে যে তাত ভূত আছে—সেই বারীখনতেই গিরিহঁতর অনুমতি লৈ এটি ঘর সাজি ললে। ২৫, টকা মাত্র স্বলারশিপ, তারেই যে চলার লাগিব!

এই সরু পথাটির ওপরেদি কত বতাহ ধুমুহা বৈ যায় তার লেখ জোখ নাই। বাতি ধুমুহা মাবিলে কোনোরে হয়তো নিজর ঘরত থাকিয়েই কয় "আঐ দেহি! আজি চাগৈ সেই কলেজর লরাটির ঘরটো তেনেই গল!"—ইমানেহে মাথোন, কোনোবাই যে তেওঁক খবর করিবহি এনে আপোনজন বা বন্ধু তেওঁর নাছিল। বন্ধু বুলিবলৈ তেওঁর কোনো নাছিল, বন্ধুত্বর ওপরত তেওঁর আস্থাও নাছিল। সহপাঠীর লগত গা ঘঁহিও মুকুলিছিল—মনত ভয় আছিল তেওঁ ছবীয়া বুলি জানোচা তেওঁক কোনোবাই অরজ্ঞা করে। বহুত লরাই তেওঁর লগত মিতিরালি করিবলৈ বিচারে। কারণ তেওঁ ভাল লরা, কিন্তু তেওঁ পরাপক্ষত সিহঁতরপরা অঁতর হৈ থাকে। বহুতে ভারে তেওঁ বর গণাল, কিন্তু কোনেও নাজানে তেওঁর অন্তরত কোনখিনিত দুঃখ।

হাত অপৈণত—তথাপি তারেই তেওঁ এমুঠি বান্ধি খার লাগে। জীরনত তেওঁর এয়েই প্রথম। এইদরে কলেজীয়া জীরন যায়। মাজে মাজে তেওঁর মাকলৈ মনত পরে, মাকর কেযারমান কথা "বোপাই! পরর অপকার আক অহিত নিচিন্তিবি, পাপক ঘিন করিবি; কিন্তু পাপীক ঘিন নকরিবি, ভগরানে তোক এমুঠি খুরারই।" এই কেই আষার কথার লগত তেওঁর মনর দৃঢ়তাই তেওঁর মনটোত এনে এটা শক্তি আনি দিছিল যার বলত তেওঁ তেওঁর এই কুমলীয়া বয়সত বহুত দুঃখ কষ্ট সহ্য করিব পারিছিল। ভারি তেওঁ আচরিত হয়, করপরা তেওঁর আয়েকে ইমানদিনি শিক্ষা পালে, অথচ তেওঁতো আখর এটাকে চিনি নাপায়। তেওঁ দেখিছে কত উচ্চ শিক্ষা পোরা মানুহর মনো ইমান উন্নত নহয়—কিছুমানর যেন পরর অপকার করাটো এটা ধর্ম্ম!

বি, এ পাছ করিও তেওঁ বিমারত পরিছিল, কিন্তু ভাগ্যক্রমে 'পোষ্ট-গ্রেজুরেট' স্কলারশিপ' পালে। এম, এ, পঢ়িবলৈ কলিকতালৈ ওলাল।

২

এম, এ, পঢ়ি থাকোতে ছবাবমান হাকিমী কামর বারে দরখাস্ত করিছিল, কিন্তু নাপালে। দেখিলে হাকিম

হবলৈ হলে, হয় হাকিমৰ পুতেক হব লাগিব নহয় হাকিমৰ ভাবী জোঁৱায়েক হব লাগিব নহলে আশা নাই। সেই আশা তেওঁ ত্যাগ কৰিলে।

তেওঁৰ চোকা বুদ্ধি আৰু পৰীক্ষাৰ ফল দেখি ছোৱালীৰ বাপেকসকলে তেওঁৰ ওচৰ চাপিছিল। যি জনে তেওঁক এদিন চাৰি অনা পইছা নিদি বিমুখ কৰিছিল তেওঁ আহি কৈছিল "মই আগেয়ে জানো তুমি দেশৰ এটি ৰত্ন! মই মনে মনে তোমাক আশীৰ্ব্বাদ দি থাকোঁ নহয়! হক হক, তোমাৰ ভাল হলে বৰ ৰং পাওঁ। পিছে এটা কথা নহয় বোপা এতিয়া জানো বিয়া বাৰু নকৰোৱা। মোৰো এজনী ছোৱালী আছে। বুজিছা, মোৰ ছৰকাৰৰ ঘৰত বেছ নাম আছে, মই হাকিমী এটা দিয়াই দিব পাৰিম"...অজই মিচিকিয়াই হাঁহে, লাজত ৰঙাও পৰে। উত্তৰত জনায় যে তেওঁৰ বিয়া কৰাবৰ এতিয়া ইচ্ছা নাই। প্ৰশ্ন কৰোতাই বিমুখ হৈ গুচি যায়।

অজই দেখিলে অসমীয়াক সকলোৱে হাঁহে তুচ্ছ তাচ্ছিল্য কৰে অসমীয়াৰ হেনো একোৱেই নাই। সঁচাতো কি আছে অসমীয়াৰ। ভাৰতৰ সকলো ঠাইতেই আই, ই, এছ; আই, ছি, এছৰ লেখ জোখ নাই, ধনী মানুহৰও অন্ত নাই। আজি অসমীয়াৰ বিলাত-ফিৰৎ কেইটা আঙুলি মূৰত লেখিব পাৰি। অসমীয়াই ভাবে ডাঙৰ মানুহ কেৱল হাকিমসকল, সি,এ, পাছ কৰি হাকিম হব পাৰিলে বহুত! অজৰ বেজাৰ লাগিল,ভাবি দুখ লাগিল যে জাতিটোৰ উচ্চাকাঙ্খাৰ সীমাটো নিজেই ঠেক। জাতিটো হীন হৈ পৰিছে কেৱল চাকৰি চাকৰি কৰি; অসমীয়াৰ কিয় গোটেই ভাৰতৰ আজি এই দশা। বিশ্ববিদ্যালয়ৰ চোকা লৰাবোৰ চাকৰিৰ ফালেহে ঢাল খায়। অইন কোনো দেশতেই এনে নহয়, কত দেশৰ মানুহ কত সমুদ্ৰ পাৰহৈ ভাৰতলৈ আহিছে ব্যৱসায়ৰ বাবেহে। অজই দেখিলে আজি যদি অসমীয়া জাতিটোৱে ব্যৱসায়ত হাত নিদিয়ে তেনেহলে এদিন তাৰ বাবে অনুতাপ কৰিব লাগিব। কিন্তু তেতিয়া অনুতাপ কৰিও একো ফল নহব।

এম, এ, পাছ হৈ অজ ঘৰলৈ ফিৰি আহিল। অসমৰপৰা বিদেশীয়ে কম দামত লা, তুলা, মৰাপাট, এড়ি, মুগা কিনি বিশ গুণ দামত নানা ঠাইত বিক্ৰী কৰেগৈ। নিজৰ 'স্কলাৰশ্বিপৰ" পৰা গোটোৱা টকাৰেই তেওঁ ব্যৱসায় কৰিব ইয়াকেই ঠিক কৰিলে।

ৰেলৰ লাইন বেয়া হৈছে—উজনি অসমলৈ যাবলৈ হলে জাহাজেৰে যাব লাগে। অব্দই ঠিক কৰিলে যে তেওঁ প্ৰথমেই নগাৱঁলৈ যাব। গুৱাহাটীত জাহাজত উঠিলে। জাহাজ এৰিবলৈ অলপ পলম আছে—তললৈ নামি আহি মানুহ অহা-যোৱা কৰা চাই আছিল। হঠাৎ দেখিলে এজন মানুহে ছিৰিয়েদি আঁহোতে এটা খালাছিয়ে পাছ ফালৰ পৰা গটা মাৰি পঠালে কলে "এই বাবু! এইদিকে আহিছেন কেন, এই দিকে ফাৰ্ষ্ট ছেকেণ্ড কেলাছৰ বাবুহে আহিব পাৰেন, পেচনে হাকিম আহিছে দেহেন না, হতেন"—মানুহজন গটা খায় ওচৰতে থকা কাঠৰ 'পেকিং' বাকছত উজুতি খাই পৰিল। বাকছৰ সিফালে আছিল এজন বিদেশী ছাহাব। তেওঁ ঘপকৰে মানুহ জনক দাঙি ধৰিলে অজও লৰি আহিলে। কিন্তু আচৰিত কথা যি জন হাকিম লৈ এই ঘটনা তেওঁ ফিৰিও নাচালে। তেওঁ তেওঁৰ হেট-কোটৰ মৰ্য্যাদা ৰাখি ঘপ ঘপ কৰে ছিৰিয়েদি জাহাজৰ ওপৰলৈ উঠি গল। বিদেশীজনে অজৰ সহায়েৰে তেওঁৰ হাত ভৰিবোৰ টানি দিলে। কাঠৰ বাকছটোৰ দাঁতিত লাগি তেওঁৰ ভৰিত অলপ কাটিলে। ৰুমালখন জেপৰপৰা উলিয়াই পানীত তিয়াই আনি ছাহাবে বান্ধি দিলে।

অজৰ দুখ লাগিল তেওঁৰ নিজৰ এজন দেশবাসীৰ এনেকুৱা আচৰণ দেখি। তেওঁ হেনো হাকিম ছৰকাৰী কামত দুটানে এটা ষ্টেশ্যনৰ পাছতেই নামি যাব। ভাবিলে এয়েই যদি হাকিমৰ নমুনা তেন্তে আজি দেশৰ কি দুৰ্দ্দশা।

পৰা মানুহজনৰ নাম কালীনাথ, এওঁ নগাঁৱৰ এখন গাঁৱৰ 'প'ষ্ট মাষ্টৰ'। দুয়ো চিনা-পৰিচয় হল। দুয়ো নগাঁৱৰেই যাত্ৰী। কালীনাথে অজক তেওঁৰ ঘৰতেই আলহী হবলৈ অনুৰোধ কৰিলে, দুখীয়া মানুহ যদিও অতিথিৰ অৱহেলা নহব। তেওঁৰ পকা দাড়িকোচাৰ ভিতৰেদি ওলোৱা হাঁহিটিয়ে অজক মুগ্ধ কৰিছিল। অজ আলহী হবলৈ ৰাজী হল।

কালীনাথে তেওঁৰ নগাঁৱলৈ অহা উদ্দেশ্যক প্ৰশংসা কৰে।

সৰু সংসাৰখনি—থকাৰ ভিতৰত আছিল কালীনাথ, কালীনাথৰ জীয়েক বন্তি, আৰু কালীনাথৰ এগৰাকী বিধবা ভনীয়েক।

গাঁৱৰ 'প'ষ্ট অফিছ', গাঁও সৰু, কামো কম, খৰচো কালীনাথৰ বেছি নাই; কাৰণ গাঁৱৰ মানুহৰ অভাবো বেছি নাই, চহৰৰ মানুহৰ দৰে জঞ্জাল নাই। এই গাওঁখনিতেই তেওঁ কেবা বছৰো আছে, কলৈকো যাবলৈ ইচ্ছাও নকৰে। শান্তিপ্ৰিয় মানুহ, শান্তিৰে এমুঠি খাই থাকিবলৈ পালেই যথেষ্ট। ঘৈণীয়েক মৰা আজি কেবা বছৰো হল। ভনীয়েকেই বন্তিক তুলি তালি ডাঙৰ কৰিছে।

অজৰ বেছ লাগিছিল, লাজো লাগিছিল, কাৰণ এই সংসাৰৰ তিনিওটি প্ৰাণীয়েই তেওঁৰ সুখ স্বচ্ছন্দৰ বাবে সদায় বৰ ব্যস্ত। তেওঁ কিন্তু এলেহুৱা হৈ বহি নাথাকিলে, ওচৰৰ গাঁওবোৰ ফুৰিবলৈ ধৰিলে। থকা ঠাইৰপৰা পাহাৰলৈ এদিনীয়া বাট, তথাপি তেওঁ পিছ নুহুহকিলে। দুই এটা পাহাৰী চৰ্দ্দাৰৰ লগত মিতিৰালি কৰিলে। সিহঁতে তেওঁৰ আধা দাম লৈ বস্তু দিম বুলি প্ৰতিজ্ঞা কৰিলে। বাকী আধা ২।১ মাহৰ পাছত দিলেও হব বুলি কলে। এইদৰে তেওঁ সিহঁতৰপৰা মিচিমি তিতা, মৌ, সিতা লা, কিনিবলৈ ঠিক কৰিলে।

এদিন গধূলি অজই বাহিৰতে বহি জিৰণি লৈছিল, এনেতে বন্তিয়ে বাটি এটাত অলপ চাহ আৰু এখন কাঁহীত দুটা মালপোৱা আনি খাবলৈ দিলেহি। কালীনাথ ওচৰতে, 'দেউতা আপোনাকো চাহ দিম জানো?' বুলি সুধিলে। "নালাগে আই"—বন্তি গুচি যায়। কালীনাথে হুমুনিয়াহ কাঢ়ি কলে "বুজিছা বোপা, মোৰ এই আইজনীক বিয়া দিব লগা হল, নহলে মানুহে বেয়া বুলিব। মই সিদিনা তাইৰ দৰা বিচাৰিহে গৈছিলো, কাইলৈ দৰাৰ বাপেক ছোৱালী চাবলৈ আহিব। ভগৱানে জানে কি হয়। বহুতে ছোৱালী চাই এৰি থৈ গৈছে বাৰু বোপা তুমিয়েই কোৱাচোন মোৰ জানো আই দেখিবলৈ বেয়া? কেৱল ৰংটোহে অলপ গোমোঠা"—অজই কি উত্তৰ দিব ভাবি নাপালে। এনেতে বন্তি আহি সুধিলে 'ভাত হৈছে বাঢ়িব জানো?' অজইও ৰূপৰ বিচাৰকৰপৰা ৰেহাই পালে।

* * * *

পিছদিনা অজ নাছিল—দৰাৰ বাপেক ছোৱালী চাবলৈ আহিছিল। বাপেকে স্পষ্টকৈ কলে বিয়া নহয়, ছোৱালীৰ ৰূপ নাই। গধূলি অজই ফিৰি আহি দেখিলে বুঢ়াই বেজাৰ মনেৰে বহি আছে, অজক দেখি কলে, "বোপা, বিয়া নহয়, মোৰ ছোৱালীৰ হেনো ৰূপ নাই।" কি বুলি যে অজই তেওঁক শান্ত্বনা দিব ভাবি নাপালে। কেৱল কলে "কিয় ভাবিছে, অইন ঠাইত চেষ্টা কৰক, নিশ্চয় ভাল লৰা পাব, বন্তিৰনো কেই বছৰ হৈছে, নিচেই সৰু হৈ আছে।" বুঢ়াই হুমুনিয়াহ কাঢ়ে।

বন্তিয়ে চাহ আনি দিয়ে—ই যেন বন্তিৰ দৈনিক কাম—হাঁহি মুখেৰে কয় "চাহ আনিছো, খক, ঠাণ্ডা হব।" অজই ভাবিছিল আজিৰ ঘটনাই তেওঁৰ মনত চাগৈ বৰ আঘাত কৰিছে কিন্তু তেওঁৰ মুখখনি চাই অনুমান হয় যেন এই প্ৰত্যাখানত তেওঁ ৰংহে পাইছে। এই সৰল হাঁহি মুখৰ ছোৱালীজনীৰ মুখলৈ চাই অজই আজি দেখিলে যে মানুহবোৰে নাৰীত্বৰ কি অৱহেলা আৰু অপমান কৰিছে। অপৰূপৰ ভিতৰত যি ৰূপ তাক মানুহে নেদেখিলে। সিহঁতে বিচাৰিছে বাহ্যিক ৰূপ; ক্ষন্তেক ভাবি নাচালে যি ৰূপ লৈ মানুহে গৌৰৱ কৰে সি আজি আছে কাইলৈ নাই। এই শাওঁৰবণীয়া ছোৱালীজনীৰ ভিতৰত যি এটা উজ্জ্বল ৰূপ আছে—মাতৃত্বৰ যি এটা প্ৰতিমূৰ্ত্তি তাইৰ মুখত ফুটি উঠিছে তালৈ অজই মনে মনে কোটি কোটি সেৱা জনালে।

বিদায়ৰ দিন—এই পৰিয়ালৰ তিনিওটি প্ৰাণীৰপৰা বিদায় লৈ যেতিয়া অজ ছৰকাৰী আলিত উঠিলহি কিহে যেন তেওঁৰ পাছ ফালৰপৰা বাৰে বাৰে অহ্বান কৰিছিল তেওঁ নুবুজিলে। মনত হল যি মৰমৰ বান্ধোনেৰে তেওঁলোকে তেওঁক এই কেই মাহ বান্ধি ৰাখিছিল, ই যেন কত যুগ যুগান্তৰৰপৰা। উভতি চাবলৈ সাহ নহয়, জানোচা কাৰবাক তেওঁ থিয় হৈ থকা দেখে! দেখিলে এনে শক্তি নাই যে তেওঁ এখোজ আগবাঢ়িব পাৰিব। বিদায়ৰ যি কৰুণ সুৰ সি যেন তেওঁৰ অন্তৰখনত ফেঁকুৰি ফেঁকুৰি কান্দি

উঠিছিল—আপোনা আপুনি চকুলো বৈ আহিল। তেওঁ দুখী—চিৰকাল দুখেই পাই আহিছে। যিকণ ভালপোৱা মৰম, স্নেহ, আদৰ তেওঁ আজি এওঁলোকৰপৰা পাইছিল সেইকণতেই তেওঁ সন্তুষ্ট। তেওঁ বেগাবেগিকৈ খোজ লয়।

৪

কাৰবাৰত অজৰ বেছ নাম হল। মানুহ লগাই নানা ঠাইৰপৰা বস্তু কিনি অনাই নানা ঠাইলৈ পঠিয়াই বিক্ৰী কৰাবলৈ আৰম্ভ কৰিলে। অলপ সময়ৰ ভিতৰতেই তেওঁ বিখ্যাত আৰু জনপ্ৰিয় মানুহ হৈ উঠিল।

জগতৰ পৰিৱৰ্ত্তন দেখি তেওঁ আচৰিত হল—যি এদিন চাৰি অনা পইছাৰ বাবে বিমুখ কৰি খেদাই দিছিল, তেৱেঁই আকৌ ছোৱালী যাচি দিছিলহি, তাৰ বাহিৰেও যি জনে ঘৰৰপৰা নোলায়েই বিদায় দিছিল সেই জনেই সিদিনা তেওঁৰ ওচৰ চাপিছিলহি এটা মলিন ফটা কামিজ আৰু এডোখৰ কথমপি লাজ ঢাকিব পৰা চুৰীয়া পিন্ধি—ভোকত কলমলাই। সেইদিনা তেওঁৰ নিজৰ মূল্যৱান পিন্ধি থকা কাপোৰ কানিৰ ফালে আৰু তেওঁ থকা প্ৰকাণ্ড ঘৰটোৰ বস্তুবিলাকৰ ফালে চকু দি তেওঁ চক খাই উঠিছিল।

ব্যৱসায়ত হাত দিবৰ আজি এই দহ বছৰ তেওঁৰ যে কি দিনেই গৈছে! সাগৰৰ একোটা একোটা ঢৌ উঠি নামি আহি পাৰত লাগি যেনেকৈ ভাগৰ পেলায়হি, তেৱেঁ। ঠিক সেইদৰে ইমান দিনৰ মূৰত আজি এটা মুক্তিৰ নিশ্বাস লৈ অলপ জিৰণি লব পাৰিছিল। এই কেইবছৰ প্ৰতি মুহূৰ্ত্ততে তেওঁক কিহে যেন আকৰ্ষণ কৰিছিল, কিন্তু তেওঁৰ মনৰ দৃঢ়তাই তাক জয় কৰিছিল।

তেওঁ আজি বিপুল ঐশ্বৰ্য্যৰ গৰাকী, কিন্তু তেওঁৰ মনত হল যেন এই ঐশ্বৰ্য্যই তেওঁক যেন উপহাস কৰিছে, মিছাকৈয়ে তেওঁ কপালৰ ঘাম ভৰিত পেলাই ইমান ধন-সম্পত্তি উপাৰ্জ্জন কৰিলে। কাৰ নিমিত্তে, কিহৰ বাবে! তেওঁৰ ঘৰৰ ভিতৰত থকা আটাইবোৰ বস্তুৱেই যেন কাৰবাৰ অবিহনে চকুলো টুকিছে। আজি তেওঁ নিজৰ চেহেৰাটো আয়নাখনত চাই অবাক হল, যৌৱনৰ যি লাৱন্য আছিল তাক যেন লাহে লাহে কিহবাই মুছি নিছে। কিচকিচীয়া চুলিবোৰৰ মাজেদি একোডাল একোডাল পকা চুলিয়ে ভুমুকি মাৰিছেহি, ততালিকে তেওঁ ডাঙৰ আয়নাখন কাপোৰ এখনেৰে ঢাকি পেলালে। যি অভাব তেওঁ অনুভৱ কৰিছে সি পূৰ্ণ নহব ভাবি তেওঁৰ অন্তৰ ফেকুৰি ফেকুৰি কান্দি উঠিছিল। এটা নহয় দুটা নহয় ই দহোটা বছৰ! ইমান সোনকালে যে দহোটা বছৰ পাৰ হব পাৰে ভাবি আচৰিত হল।

চুম্বকে লো টানি নিয়াদি তেওঁকো যেন কিহবাই এখন গাৱঁলৈ টানি নিলে। তেওঁৰ অন্তৰৰ অভাবে যি হাহাকাৰ কৰি উঠিছে, তাৰ বাবে যদি তেওঁ বিপুল ঐশৰ্য্যও বিলাই দিব লগা হয় তাকো যেন আজি তেওঁ দিবলৈ প্ৰস্তুত! বাটত প্ৰতি পলে পলে তেওঁৰ ভয় হল তেওঁ যেন কাকো লগ নাপায়।

গাঁৱৰ ভিতৰ সোমাই তেওঁৰ পুৰণা স্মৃতি জাগি উঠিল; কিন্তু তেওঁ দেখিলে তেওঁ কাকো চিনি নাপায়। প'ষ্ট অফিছৰ ওচৰলৈ আহি দেখিলে তাৰো বহুত পৰিৱৰ্ত্তন হৈছে, খেৰৰ ঘৰ গুচি আজি টিনৰ ঘৰ। ভিতৰ সোমাই দেখিলে কালীনাথৰ সলনি আজি অইন মানুহ এজনে কাম কৰিছে, তেওঁ এজন বঙালী ভদ্ৰলোক।

নিৰাশ হৈ তেওঁ ফিৰি আহিল। অমঙ্গলীয়া আশঙ্কাত বুকু কঁপি উঠিল। গধূলিৰ গৰুবিলাকে ধূলি উৰুৱাই ঘৰমুৱা হৈছিল, পাছে পাছে আহিছিল এটা বুঢ়া মানুহ। অজই ঘপ কৰে তাৰ বাওঁহাতখন ধৰি সুধিলে "বুঢ়া, কোৱা তোমাক যি লাগে তাকে দিম, যিমান টকা লাগে, কেৱল এটা কথা কোৱা কালীনাথ প'ষ্ট মাষ্টৰ কলৈ গল?" বুঢ়াই অবাক হৈ তেওঁৰ পিনে বহুত পৰ ৰ লাগি চাই কলে "অ বোপা আপুনি। আপুনি সেই তেখেতৰ ঘৰত থকা?" "ঠিক ঠিক ধৰিছা কোৱা কোৱা তেখেত আজিকালি কত?" "তেখেত? তেখেততো কেতিয়াবাই ঢুকাল" "ঢুকাল?" অজ ৰাস্তাৰ মাজতে বহি পৰিল। "বোপা দুঃখ কৰিলে কি হব, সকলো এদিন নহয় এদিন মৰিবই; বাৰু বুঢ়া তেওঁৰ জীয়েক..." "অ, আমাৰ বন্তি আইদেউৰ কথা সুধিছে? তেওঁ সাক্ষ্যাৎ দেৱী কিবা পাপৰ ফলতহে পৃথিবীত

কৰ্ম্ম লৈছেহি—তেওঁ সেই যে দূৰত আঁহত গছ জোপা দেখিছে তাৰ ওচৰতে থাকে। তেওঁ আমাৰ গাঁৱৰ সৰু লৰা ছোৱালীবিলাকক লিখা-পঢ়া, হাতৰ কাম কাজ শিকায় নহয়"—বুঢ়াই আৰু কিবা কব খুজিছিল কিন্তু তাক শুনিবলৈ অজই বাট নাচালে। ততালিকে বুঢ়াক টকা এটা দি আঁহত জোপাৰ ফালে বেগেৰে খোজ ললে।

আহতৰ ওচৰত সৰু বাৰীখন, তাতেই এটি সৰু ঘৰ। অজ নঙলাৰ মুখতেই থিয় হৈ থাকিল, ভিতৰ সোমাবলৈ তেওঁৰ মনলৈ যেন কিবা এটা দ্বিধা, সঙ্কোচ আহি আবৰি ধৰিলেহি। ভাবিলে "কোন তেওঁ, কি অধিকাৰত আজি বন্তিৰ ওচৰ চাপিব, বন্তিতো তেওঁৰ কোনো নহয়। কেৱল দুদিনৰ চিনা পৰিচয়! যাম নেযামকৈ ভাবি আছে এনেতে এটা ৭।৮ বছৰীয়া লৰা ভিতৰৰপৰা ওলাই আহিল—হাতত এটা বটল, বোধহয় তেল কিনিবলৈ যাব খুজিছিল। লৰাটোক দেখি অজ ভিতৰলৈ সোমাই আহি সুধিলে—"কোন তুমি? ইয়াত কোন থাকে?" "মই? মই বাইদেউৰ ভায়েক। আপুনি কোন?" "ময়না! কোন বাইদেউৰ ভায়েক?" "কেলৈ,—বন্তি বাইদেউৰ,—" "ময়না বাইদেৱেৰাক কোৱাগৈ যে বাজত দূৰৰপৰা এজন আলহী আহিছে—নাম অজনাথ" "ভাল" বুলি লৰাটো ভিতৰলৈ সোমাই গল। অলপ পিছত ওলাই আহি কলে "আপুনি অলপ বহক; বাইদেউ আহিব এতিয়া।" বুলি বটলটো লৈ বাহিৰলৈ ওলাই গল।

কোঠা এটাতেই চকী এখনত তেওঁ বহি পৰিল। মিলনৰ ব্যাকুলতাত তেওঁৰ বুকু কঁপি উঠিছিল। আজি এই কেইবছৰ মনৰ আশা আকাঙ্খাত তেওঁৰ ক্ষুদ্ৰ হিয়াখন ভৰি পৰিছিল। ভাবিলে, যদি এই আশা তেওঁৰ জীৱনৰ বাকী কেইটা দিনত অপূৰ্ণ হৈ থাকে ভগৱানে যেন সেই আহত জোপাৰ তলখনেই তেওঁৰ সমাধিক্ষেত্ৰ কৰি তোলে! তেওঁ নুবুজিলে যে তেওঁৰ আগমনত ভিতৰত আৰু এটা প্ৰাণীৰো মন চঞ্চল হৈ উঠিছিল।

বন্তি ওলাই আহি সুধিলে, "কেনে আছে, ইমান দিনৰ মূৰতনো আমালৈ কেনেকৈ মনত পৰিল?" অজই কি উত্তৰ দিব, কেৱল মূৰ দাঙি তেওঁৰ মুখলৈ চাই সুধিলে "কেনে আছা, লৰা-ছোৱালী কেইটি?" বন্তি ৰঙা পৰি তললৈ মূৰ কৰি অলপ ৰৈ কলে, "মোৰ যে বিয়াই হোৱা নাই যাৰ ৰূপ নাই তাকনো কোনে বিয়া কৰাব! আপুনি বিয়া ক'ত কৰালে, লৰা-ছোৱালী—"

মোৰ বিয়া! মই বিয়া কৰোৱাই নাই বন্তি।

এই বন্তি মাতষাৰত যে কি এটা মাধুৰ্য্য আছে বন্তিয়ে তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰে। তেওঁৰ অন্তৰৰ স্পন্দন যদি অজই শুনিলেহেতেন তেন্তে তেওঁ বুজিলেহেতেন যে এই মাতষাৰ শুনিবলৈ বন্তিয়ে কতদিন ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে!

দুয়ো বহুত পৰ নিমাত হৈ থাকিল। তেওঁলোকৰ এই নীৰৱতাৰ মাজেদি দুয়োৰো অন্তৰত কোনো এক নেদেখা ঠাইত কি যে এটা শক্তিয়ে তেওঁলোক দুয়োকো বুজাই দিছিল যে এই জগতত ইজনে সিজনে আৰু এৰা-এৰিকৈ থকা অসম্ভৱ।

৫২৮৪/অ:

এনেতে লৰাটো উভতি আহিল। বন্তিয়ে কলে, "যা ৰাজেন পেহীদেউক সোধগৈ আলহী আহিছে, চাহ হলনে নাই"—ৰাজেন গুচি গল। অজই সুধিলে, "এই লৰাটো কোন?" বন্তিয়ে কলে "ৰাজেন, পেহীদেউৰ ঘৰৰ লৰা"—

অজই কলে "বেছ লৰাটো। দেখিলে মৰম লাগে!"

"মোৰো যে সংসাৰত আপোন বুলিবলৈ আৰু কোনো নাই। ৰাজেনকে—" অজই বুজিলে, কিমান বেজাৰেৰে এই কেইটা কথা তেওঁ কৈছে। তেওঁ কেৱল বন্তিৰ ওচৰলৈ গৈ তেওঁৰ হাত দুখন নিজৰ বুকৰ ওচৰলৈ চপাই আনি মাতিলে "বন্তি!—মই তোমাৰ কোনো নহওঁনে?"

তেতিয়া নিস্তেজ সুৰুযে তেওঁৰ ৰাঙলী, ৰশ্মিৰাশি ধৰাৰপৰা কোচাই লোৱাৰ লগে লগে পূৰ্ণিমাৰ জোনে পৃথিবীত ভুমুকি মাৰিলেহি—মৃদু মধুৰ পোহৰ আহি বন্তি-অজৰ মুখত পৰিলহি।

ঘৰে ঘৰে তেতিয়া সন্ধিয়াৰ বন্তি জ্বলি উঠিল।

শ্রীশ্রীদুর্গা মাহাত্ম্য

—শ্রীযুত হৰিশ্চন্দ্র ভট্টাচার্য্য

মাতৃজাতি শক্তি, ধৈর্য্য, ক্ষমা আৰু শান্তিৰ আকৰ স্বৰূপা। আৰু সেইদেখি এইবোৰ গুণত এওঁলোক পুৰুষ সকলতকৈ বহু গুণে গৰীয়ান। পুৰাণ আদি অনেক ধৰ্ম্মশাস্ত্ৰত দেখা যায় যিবোৰ কাম কৰিব নোৱাৰি পুৰুষ সকল ভাগৰি পৰিছিল, 'কিংকৰ্ত্তব্য বিমূঢ়' অৱস্থাত পৰি মুখ লুকাইছিল, ধৈর্য্য, ক্ষমা, শান্তি আৰু শক্তিৰ প্ৰভাৱত সেই সুকঠিন কামবোৰ সমাধা কৰিব পাৰিছিল এই মাতৃজাতিয়ে।

সাধাৰণতে স্বৰ্গ যিমান নিৰাপদ বুলি ভবা যায় সিমান কেতিয়াও নহয়। ভাল বস্তুতৈ ধাউতি সকলোবে বেছি। ভাৰতবৰ্ষৰ যিদৰে নিজৰ ধন দৌলতেই শত্রু সেই দৰে ইন্দ্ৰৰ অমৰাৱতীয়েই হৈছে দেৱতাসকলৰ শত্রু। এই অমৰাৱতীৰ মোহত অসুৰ-দানববোৰে দেৱতাসকলকনো কিমান নিৰ্য্যাতন নিদিছে! ইন্দ্ৰৰ ইন্দ্ৰত্ব নিজ বাহু বলেৰে কাঢ়ি লৈ স্বৰ্গত একাধিপত্য বিস্তাৰ কৰিছিল। দেৱতা সকলে অসুৰৰ পীড়ন সহিব নোৱাৰি মৰতলৈ আহি, দুৰ্গাৰে দুৰ্গাৰে 'ত্ৰিকাং দেহি' বুলি ঘুৰি ফুৰিছিল। সেই সময়ত দেৱতাসকলৰ অৱস্থা আজিৰ ভাৰতবাসীৰ অৱস্থাৰ নিচিনা হৈ ছিল।

আন আন অসুৰৰ অত্যাচাৰতকৈ মহিষাসুৰৰ অত্যাচাৰ আছিল বৰ প্ৰবল। মহিষাসুৰক হত্যা কৰিবৰ অৰ্থেই দনুজদলনী শ্রীশ্রীদুর্গাদেৱীৰ আৱিৰ্ভাব হৈছিল।

ৰম্ভা নামে এজন শৈত্ৰ অসুৰৰ বহুদিন ধৰি সন্তান সন্ততি একো নথকাত—পুত্ৰৰ কাৰণে অনেক দিন মহাদেৱক আৰাধনা কৰে। অসুৰৰ তপস্যাত মহাদেৱ সন্তুষ্ট হৈ তাৰ মনোবাঞ্ছিত বৰ দিয়ে। অপৰাজেয়, দৈত্য দেৱতাক জিনিব পৰা চিৰজীৱী পুত্ৰ প্ৰাপ্তিৰ বৰ পাই, হৰ্ষোৎফুল্ল চিত্তে 'ৰম্ভাসুৰ' ঘৰলৈ ফিৰিল। মহাদেৱৰ আশীৰ্ব্বাদমতে যথা সময়ত মহাদেৱৰ বৰলব্ধ বীৰবৰ মহিষাসুৰৰ জন্ম হয়।

মহিষাসুৰে যৌৱনৰ মাদকতাৰ ৰাগিত সকলোকে অত্যাচাৰ কৰি ফুৰিব ধৰিলে। হিতাহিত বিবেচনা তাৰ পৰা আতৰিছিল। এদিন মায়াবলত ভুৱন মোহিনী যুৱতীৰ ৰূপ ধৰি তাপস শ্রেষ্ঠ কাত্যায়ণ মুনিৰ আশ্রমলৈ গৈ আশ্রম বাসী ব্রহ্মচাৰী শিষ্যবৰ্গক সম্মোহন বাণেৰে জৰ্জ্জৰিত কৰে। কামোন্মত্ত শিষ্যসকলৰ লগত এই পাপ মূৰ্ত্তী নাৰীৰ অবৈধ ব্যৱহাৰে মুনীৰ তপ ভঙ্গ কৰে। মুনিয়ে যোগ বলেৰে মহিষাসুৰৰ ছলনা জানিব পাৰি ক্রোধানলত জ্বলি উঠিল আৰু অসুৰক—"যি নাৰী ৰূপ ধৰি মোৰ শিষ্যসকলক মুহিলি সেই শক্তি ৰূপিনী নাৰীৰ হাতত তোৰ মৰণ হব" এই বুলি অভিশাপ দিলে। অখণ্ডনীয় ব্রহ্ম বাক্য লৈ ভ্রুক্ষেপকে নকৰি ঘৰলৈ ফিৰিল। তাৰ নিচিনা প্রতাপশালী বীৰ এটা যে নাৰীৰ হাতত নিহত হব সেইটো সি কোনো মতে বিশ্বাস নকৰিলে।

দুর্দ্দান্ত প্রতাপশালী মহিষাসুৰৰ পীড়ন দেৱতাসকলৰ পক্ষেও ভয়াবহ হৈ পৰিছিল; মনুষ্যসকলবতো কথাই নাই। দেৱৰাজ ইন্দ্ৰক স্বৰ্গৰ পৰা খেদি অমৰাৱতী দখল কৰি, তাত সাৰ্ব্বভৌম একাধিপত্য বিস্তাৰ কৰিছিল আৰু আন আন দেৱবৰ্গক আজ্ঞাবহ ভৃত্য কৰিবলৈ মন মেলিছিল। তেওঁলোকে স্বৰ্গাদপি গৰীয়সী জন্মভূমি দৈত্যক এৰি দি পথিক হব লগাত পৰিছিল। অনেক যত্ন কৰিও দেতিয়া দেখিলে যে জন্মভূমি উদ্ধাৰৰ উপায় তেওঁলোকে কৰিব নোৱাৰে, তেতিয়া সমস্ত দেৱবৰ্গ গোট খাই ব্রহ্মা বিষ্ণু হৰ প্রমুখ্যে আলোচনাত বহিল। আটাইতেই চিন্তা-ক্লিষ্ট, প্রত্যেকৰে মুখত চিন্তাৰ গভীৰ ৰেখা—মাজে মাজে ক্রোধানল জ্বলি উঠে। কোনো উপায় উদ্ভাৱন কৰিব পৰা

আৱাহন



নীড় ৰচনা

লক্ষ্মীবিলাস প্রেছ লিঃ, কলিকাতা।

নাই। হঠাৎ ক্রোধেৰে ভ্রূকুটি কুটিলা মুখ হোৱাত ব্রহ্মা, বিষ্ণু, শঙ্কৰৰ মুখৰপৰা প্রচণ্ড তেজঃৰাশি বাহিৰ হল। তাকে দেখি আন আন দেৱবর্গৰো মুখৰপৰা তেজ বাহিৰ হৰ ধৰিলে আৰু এঠাইতে ভিন ভিন ৰূপে এই তেজঃ ৰাশি গোট খাই জলন্ত পৰ্ব্বতসদৃশ হৈ ইয়াৰ কান্তিৰ দ্বাৰা দশোদিশ প্রজ্বলিত হৰ ধৰিলে। আৰু সেই জলন্ত তেজঃপুঞ্জৰ পৰাই নাৰীৰূপা জগৎ জননী অম্বৰ ঘাটিনী ভগৱতী শ্রীশ্রীদুর্গা দেৱীৰ জন্ম হয়।

পৃথক পৃথক দেৱতাৰ তেজৰপৰা ভগৱতী আইৰ পৃথক পৃথক অঙ্গৰোৰ গঠন হয়। শৰীৰৰ ভিতৰত উচ্চতম অঙ্গপূর্ণ চন্দ্রসম বদন মণ্ডল গঠিত হয় শঙ্কৰৰ তেজেৰে। অগ্নিৰ তেজৰপৰা সেই পদ্মম পাহিৰ নিচিনা চকু তিনটা, আৰু কামদেৱৰ ধনুৰ দৰে 'ভ্রূ' কেইযোৰ হয় সন্ধ্যাৰ তেজৰ পৰা। নাসিকাটো হয় কুবেৰৰ তেজৰপৰা। মুকুতাৰ নিচিনা ডালিম গুটীয়া দাঁতবোৰ প্রজাপতিৰ তেজেৰে, কৰ্ণ আৰু যমৰ তেজৰপৰা হয় সেই সুবিশাল কেশপাশ। দেৱৰাজ ইন্দ্রৰ তেজৰপৰা মধ্য দেহ, বিষ্ণুৰ তেজৰপৰা অতুল শক্তিসম্পন্ন দহ ভূজ আৰু হাতৰ আটাইবোৰ আঙুলিয়েই হয় অষ্ট বসুৰ তেজৰপৰা। নাৰীৰ সৌন্দর্য্য ভাণ্ডাৰ কুচ-যুগ চন্দ্রৰ তেজৰপৰা আৰু কৰণৰ তেজেৰে হয় জঙ্ঘা আৰু উৰু। পৃথিবীৰ তেজৰপৰা নিতম্ব, ব্রহ্মাৰ তেজৰপৰা চৰণ যুগল, সূর্য্যৰ তেজৰপৰা ভৰিৰ আঙুলিসমূহ হয়। শৰীৰৰ আন আন অঙ্গৰ পৰিপুষ্টি সাধন হল বাকী থকা দেৱতাসকলৰ তেজেৰে।

এইদৰে ভগৱতী দেৱীৰ জন্ম হ'ল। তেওঁক দেখি তেওঁ লোকৰ শত্রু নিধন হব বুলি ভাবি চিন্তাক্লিষ্ট দেৱতা সকলৰ মনৰপৰা চিন্তা দূৰ হ'ল আৰু মনত আনন্দৰ ঢৌ খেলিব ধৰিলে। সাধ্যানুযায়ী দেৱতাসকলে অস্ত্র-শস্ত্র বদন ভূষণ, অলঙ্কাৰ আদি দেৱীক আদৰি দি নানা সংকাৰে বিভূষিত কৰিলে।

শিৱে ত্রিশূল, অগ্নিয়ে শক্তি অস্ত্র, বায়ুৱে ধনু আৰু অক্ষপূর্ণ টুন এটা দিলে। যমে দিলে যমদণ্ড, বাসবে বজ্র আৰু ঘণ্টা দিলে, বিষ্ণুৱে চক্র, বৰুণে শঙ্খ আৰু নাগপাশ, ব্রহ্মাই অক্ষমালা দিলে আৰু দিলে কমণ্ডলু। সূর্য্যদেৱে ভগৱতীৰ প্রতি লোমকূপতে তেওঁৰ ৰশ্মি টানি দি জ্যোতি দিগুণে বৃদ্ধি কৰালে। ভগৱতীৰ পৰিধেয় উপযুক্ত বসন, দুই কাণত কুণ্ডল, হাৰ নূপুৰ, গলপতা, অর্দ্ধচন্দ্র, টাৰ, বলয়, আঙঠি ইত্যাদি অলঙ্কাৰবোৰ দিলে সমুদ্রই। কালে খড়্গচর্ম্ম, কিম্বৰ্দ্ধাই কুঠাৰ, শৰীৰ ভেদিব নোৱাৰা—'কৱচ' আৰু দিলে অম্লান পদ্মৰ মালা দুযাৰ। দেৱী উঠি ঝুৰিবলৈ হিমালয়ে এটি সিংহ দিলে। থালেও শেষ নোহোৱা অক্ষয় পান পাত্র সহ এ পাত্র সুধা দিলে ধনেশ্বৰ কুবেৰে। আৰু অনন্তনাগে মনোৰম চৰ উপঢৌকন স্বৰূপে দিলে।

এইদৰে দেৱবর্গে মিলি দেৱীক সুসজ্জিত কৰিলে। দেৱীয়ে আনন্দত প্রচণ্ড সিংহ নাদেৰে এক অট্টহাস্য হাঁহিলে। সেই হাঁহিৰ প্রতিধ্বনিত বিশ্বব্রহ্মাণ্ড মুখৰ হৈ উঠিল। সাগৰ খলকিল,—মাছ-মগৰ ত্রাসত সন্ধুচিত হ'ল, গিৰিবননি সকলো কম্পিত ধৰিলে, মুহুর্মুহু ভূমিকম্প হব ধৰিলে। নৰ-নাৰী সকলোৰে মনত ভীষণ চাঞ্চল্যৰ সৃষ্টি হল। দেৱীৰ এনে প্রচণ্ড মহিমা দেখি দেৱবর্গে কাতৰভাৱে স্তুতি কৰিবলৈ ধৰিলে, দেৱীয়ে তেওঁলোকক অভয় দি দেবাৰি মহিষা সুৰৰ উদ্দেশে বাহিৰ হল।

মহিষাসুৰৰ ভয়ত আনকি বনৰ চৰাইৰেও মন খুলি চিঞৰিব নোৱাৰিছিল। এনে স্থলত আকস্মিক এনে ভীষণ অট্টহাস্যৰ কাৰণ বুজিব মনেৰে খণ্ডত অগ্নিশর্ম্মা হৈ অসুৰ বাহিৰ হল। দেখে নগৰৰ এক প্রান্তত সুসজ্জিত বণ-বেশেৰে বণভৈৰবী অতি ৰূপৱতী নাৰী এজনী থিয় হৈ থাকি তেওঁৰ সৌবভেৰে দশোদিশ জ্যোতির্ম্ময় কৰি তুলিছে।

দেৱতা ঋষি মুনি আদিয়ে চৰণত পৰি স্তুতি কৰি থকা দেখি অসুৰৰ হিয়াই নসহিলে। সেই সময়ত অসুৰেই ছেহে সর্ব্বোপৰি শ্রেষ্ঠ, তেনে স্থলত সামান্য নাৰী এজনীক ইমান সন্মান কৰা দেখি ঈর্ষানল জ্বলি তাৰ শিখা চাবিও পিনে বিয়পি পৰিল। সৈন্য-সামন্ত লৈ বণ সাজেৰে সাজি দেৱীৰ সৈতে যুদ্ধ কৰিবলৈ অগ্রসৰ হল। বণভেৰী আকাশ পাতাল নিনাদি বাজি উঠিল। মহিষাসুৰ এজন অসাধাৰণ বীৰ আছিল। সমস্ত দেৱতাৰ শক্তিবণবা সমুদ্ভূতা হলেও ভগৱতী দুর্গাদেৱীৰ অশেষ যত্ন পুৰুষার্থৰ দৰ্কাৰ হৈছিল।

মাজে মাজে বৰ ক্লান্ত হৈ পৰিছিল। অনেক দিন অবিৰাম অবিশ্ৰান্ত যুদ্ধ আৰু অক্লান্ত পৰিশ্ৰমৰ ফলত দনুজদলনী শ্ৰীশ্ৰীদুৰ্গাদেৱীয়ে বীৰবৰ মহিষাসুৰক নিহত কৰে।

দেৱতাসকলৰ প্ৰবলতম শত্ৰু মহিষাসুৰক মাৰি দেৱীয়ে দেৱ ঋষি আদিৰ বিশেষ সন্মানৰ গৰাকী হব পাৰিছিল। তেওঁৰ শলাগ পাহৰিব নোৱাৰি দেৱতা সকলে তেওঁৰ ওচৰত কৃতাৰ্থ মানিছিল। কোনো ভয়াবহ বিপদৰ সূচনা হলে, এই শক্তি ৰূপিনী মহাশক্তি সম্পন্না কামনা দায়িনী দেৱীৰ পূজা আৰম্ভ কৰি দেৱতাসকলে অভিলাস সিদ্ধিৰ বাটত আগুৱাইছিল।

এই শক্তিপূজা প্ৰথমতে মৰ্ত্ত্যলোকত প্ৰচাৰ কৰে সুৰথ ৰজাই, সত্য যুগত চৈত্ৰবংশোদ্ভূত 'স্বয়ম্ভুৱমনু' এজন অতীব পৰাক্ৰমী ধীশক্তি সম্পন্ন প্ৰজাৰঞ্জক ৰজা আছিল। তেওঁৰ পিছতেই পুতেক সৰ্ব্বগুণ বিভূষিত অতীব সৌষ্ঠৱ চেহেৰাযুক্ত দয়াৰ সাগৰ সুৰথ ৰজা হয়। বাপেকৰ দৰে সুৰথেও প্ৰজাসকলক পুত্ৰৱৎ শাসন কৰি অতুল ঐশ্বৰ্য্যৰ মাজত সুখত কাল নিয়াইছিল। ভাগ্য সদায় সমানে নাথাকে। জগতৰ সকলোৰে পৰিৱৰ্ত্তন আছে, ভাগ্যৰো থাকিবই। সুৰথৰ ভাগ্যৰবি অস্তমিত হল। চঞ্চলা লক্ষ্মীয়ে তেওঁক এৰিলে। পিতা পুত্ৰৰ নিচিনা মিলা প্ৰীতিৰে থকা ৰজা প্ৰজাৰ ভিতৰত সংগ্ৰাম বাজি উঠিল। তেওঁৰ আগৰ বিক্ৰম কৰবালৈ গল। সেইদিনা তেওঁ বিজয় লাভ কৰিব নোৱাৰিলে; কোনোমতে প্ৰাণটো লৈ তেওঁৰ অতি চেনেহৰ ঘোৰাটোত উঠি বনলৈ পলাল।

ভগৱানৰ বৈচিত্ৰ লীলা কোনে বুজে! সাগৰৰ তৰঙ্গৰ দৰে ইটোৰ পিছত সিটো—অৱস্থাৰো পৰিৱৰ্ত্তন আছেই। তেওঁৰ কৰুণাতেই এসময়ত সকলো সুখৰ আকৰৰ মাজত থাকি—অমৰাৱতীৰ আটাইখিনি সুখকেই ভোগ কৰিবলৈ পোৱা যায়। আৰু পিছ মুহূৰ্ত্ততেই তেওঁৰ কোপ দৃষ্টিত পথৰ কঙাল - ভাগ্যত ভিক্ষান্নও নিমিলে। সুৰথৰ অৱস্থাও তেনেই হ'ল গৈ। লগত সৈন্য-সামান্ত নহলে যি এখোজ নাকাঢ়িছিল সি আজি অকলে হাবিয়ে বননিয়ে ঘূৰি ফুৰিব ধৰিছে। পঞ্চাশখন ব্যঞ্জন নহলে যাৰ পেটত অন্ন নহৈছিল শয়ন কৰিছিল যিজনে দুগ্ধ-ফেন নিভ শয্যাত—তেওঁ আজি আছে কেনেকৈ—চকুত টোপনি নাই পেটত ভাত নাই, এজন ত্যাগী পুৰুষহে যেন।

গৈ গৈ মহাতাপসিক মেধস মুনিৰ আশ্ৰম পায় গৈ আৰু তাতে জিৰণি লয়। আশ্ৰমৰ প্ৰাকৃতিক মনোমুগ্ধকৰ দৃশ্যাৱলীত তেওঁৰ মন বৰকৈ আকৃষ্ট হৈছিল। তাতোকৈ তেওঁৰ মনত ভাল লাগিছিল পৰস্পৰৰ ভিতৰত হিংসা-বৰ্জ্জিত সৰলতাৰ ভাব।

যেন তপৰ প্ৰভাৱত সকলোৰে অন্তৰত পৱিত্ৰ সৰলতাৰ ভাব বিৰাজ কৰিছে। একে ঠাইতে খাদ্য খাদকে গলা গলি কৰি অহিংসাৰ জলন্ত পটন্তৰ দেখুৱাইছে। গছ-লতিকা, তৰু-তৃণ সকলাৰে মনত পৱিত্ৰ ভাবৰ সমাবেশ। অপৱিত্ৰ বায়ুৰ কাৰণেও তাত ঠাই নাই। নানা সাংসাৰিক জ্বালা যন্ত্ৰণাত আধা পোৰা হোৱা জীৱ সকল এই আশ্ৰমলৈ গৈ তাপিত পৰাণত শান্তিবাৰি ছটিয়াই শান্তি পায়। ধন্য তাপস জীৱন!

সুৰথেও তাপিত পৰাণক শান্তি দিছিল। এইদৰে কিছু দিন থকাৰ পিছত হঠাৎ এদিন সেই আশ্ৰমৰ ওচৰতেই 'কলিঙ্গ" দেশৰ 'দুন্নিত'ৰ পুতেক 'সমাধি' নামে বৈশ্য এজনক লগ পায়।

দুখীয়াৰ দুখ বুজে দুখীয়াই। দুয়ো একে অৱস্থাগ্ৰস্ত; উভয়ে উভয়ৰ দুখ দৈন্যৰ কথা আলোচনা কৰি মনক কিছু শান্ত্বনা দিছিল। এইদৰে কিছু দিন অতিবাহিত হোৱাত এদিন দুয়ো তেওঁলোকৰ দুখ-দুৰ্দ্দশাৰ প্ৰতিকাৰৰ কিবা উপায় দিব পাৰিব বুলি মেধস মুনিৰ আগত সকলো বৃত্তান্ত কলে।

মুনিয়ে তেওঁলোকক শান্ত্বনা দি, দনুজ দলনী কামনা দায়িনী শক্তিৰূপা দেৱী শ্ৰীশ্ৰীদুৰ্গা ভগৱতীক দেৱ-বৰ্গে নিজ শত্ৰু সংহাৰাৰ্থে কেনেকৈ জন্ম দিলে আৰু তেওঁলোকৰ কামনামতে শত্ৰু নিধন কৰিলে ইত্যাদি মহিমাৰ কথা বিষদ ভাৱে কলে। আৰু দুয়োকে শক্তি মন্ত্ৰেৰে দীক্ষিত কৰি সেই শক্তি ৰূপিনী মহামায়াক পূজা কৰিবলৈ উপদেশ দিলে।

মুনিৰ কথামতে দেৱী ভগৱতীক পূজিবৰ মানস কৰি পূজাৰ ক্ৰম আদি মুনিৰপৰা বুজি লৈ বসন্ত কালত শুকুলা

ষষ্ঠীৰ দিনাখন বোধন কৰি পূজা আৰম্ভ কৰিলে। 'দেৱী শুক্ত'মন্ত্ৰ জপ কৰি ষোড়শোপচাৰে নানা গ্ৰাম্য বন্য উপহাৰ দি ক্ৰমান্বয়ে তিনি বছৰ পূজা কৰে। ভক্তাধীনা দেৱী ভক্তৰ পূজাত তুষ্ট হৈ দেখা দিয়ে আৰু নিজ নিজ কামনামতে বৰ দিয়ে। তাৰপৰা তেওঁলোক গৈ নিজ নিজ মনোবাঞ্ছিত বৰ ভোগ কৰে। তেওঁলোকে এই পূজাৰ আয়োজন বসন্ত কালত কৰিছিল বাবে বাসন্তী পূজা নামে অভিহিত হৈ আজিও চলি আছে।

যেতিয়া ত্ৰেতাযুগত দশৰথৰ পুতেক শ্ৰীৰামচন্দ্ৰই পিতৃ-সত্য পালি সীতা লক্ষ্মণ সহ বন বাসলৈ যায়—আৰু লঙ্কাৰ ৰজা ৰাৱণে সীতাৰ ৰূপত মুগ্ধ হৈ হৰি নিয়ে তেতিয়া ৰাম ৰাৱণৰ যুদ্ধ আৰম্ভ হয়। ৰাম লক্ষ্মণে বনৰ বানৰ আদিৰ সহায়ত যুদ্ধ কৰি ৰাৱণত বাহিৰে আটাইবোৰ ৰাক্ষসকেই বধ কৰে। ৰাৱণ আছিল হৰ-গৌৰীৰ পৰম ভক্ত। সেয়েহে ভক্ত ৰাৱণৰ ৰথত উঠি শ্ৰীশ্ৰীদুৰ্গাদেৱী ৰণস্থললৈ আহে। তাকে দেখি ৰামচন্দ্ৰই ধনুশৰ এৰি মহাচিন্তান্বিত হয়। ৰাৱণ এনেয়ে মহাশক্তিশালী তাতে আকৌ শক্তিৰূপা ভগৱতী নিজে ৰথত অৱস্থিত। ৰামে সীতা উদ্ধাৰৰ আশা ভৰসা এৰি বিষণ্ণমনে কান্দিবলৈ ধৰে তেতিয়া কুলগুৰু মুনি-শ্ৰেষ্ঠ বশিষ্ঠই শ্ৰীশ্ৰীদুৰ্গাদেৱীক পূজিবৰ পৰামৰ্শ দিয়ে আৰু যথাবিহিত সন্মানপূৰ্ব্বক ষোড়শোপচাৰে দেৱীক শ্ৰীৰামে পূজে। দেৱী তুষ্ট হৈ ৰাৱণক মাৰিবৰ আদেশ দিলত ৰাৱণক মাৰে আৰু সীতাদেৱীক উদ্ধাৰ কৰে।

ৰামে পূজিব লগাত পৰিছিল শৰত কালত, সেই বাবে শাৰদীয়া পূজা নামে অভিহিত।

তেতিয়াৰপৰাই বাসন্তী পূজাৰ দৰে এই শাৰদীয় পূজাও আজিলৈকে যুগ-যুগান্তৰ ব্যাপি চলি আহিছে। পূজকসকলে তেওঁৰ মহিমা কীৰ্ত্তন কৰি প্ৰতি বছৰতে তেওঁৰ চৰণত শ্ৰদ্ধাঞ্জলি দি মনোবাঞ্ছিত অভিলাষ সিদ্ধি কৰিছে। শক্তি, ধন, জন, আয়ুস, সৌৰ্য্য-বীৰ্য্য ইত্যাদি পাবৰ আশাত তেওঁৰ উদ্দেশে এপাহী ফুল আৰু ভক্তিপূৰ্ণ সেৱা জনাবলৈ ই বছৰৰপৰা সি বছৰলৈ ভক্তসকল ব্যগ্ৰ হৈ ৰৈ থাকে। তেওঁৰ লগত সকলো সুখদায়িনী কমলা, জ্ঞানদায়িনী সঙ্গীত প্ৰিয়া বীণাপাণি, সৰ্ব্বসিদ্ধিদাতা গজানন দেৱ সেনাপতি কাৰ্ত্তিক আদি দেৱবৰ্গ আগমন কৰে। এই সঙ্গীসকলকো যথাবিহিত পূজা কৰা হয় আৰু এওঁলোকেও সেই হিছাবে ভক্তসকলৰ উপকাৰ কৰে।

তুলসীৰ লগত কল পতুৱাৰ মুক্তিৰ দৰে মহিষাসুৰেও এওঁলোকৰ লগতে পূজা পায় কেৱল ভগৱতীৰ কৃপাগুণত। মহিষাসুৰ মৰাৰ আগতে দেৱীয়ে তাক বধ কৰা সপোনত দেখি বীৰ হিয়া ভয়ত কঁপিছিল। পিছদিন পুৱা উঠি দেৱীক একান্তমনে আৰাধনা কৰিবলৈ ধৰিলে। দেৱী সন্তুষ্ট হৈ দেখা দিলত অসুৰে দেৱীক কলে "তুমি মোক মাৰিলেও তোমাৰ পদতলত যেন মই ঠাই পাওঁ আৰু তোমাৰ লগতে পূজা পাওঁ।" ভকতৰ দাবী মঞ্জুৰ কৰি দেৱী গুচি যায়। সেই কাৰণেই অসুৰেও দেৱতাসকলৰ লগত থাকি পূজাৰ অংশ ভোগ কৰে।



সুখৰ সোৱাদ

কবিতা]

—শ্ৰীযুত দক্ষিণাকান্ত বৰুৱা বি-এ

দিখউৰ পাৰৰ সেই শীতল ঘাঁহনিখনি
তাতে আজি বহিলোঁ খন্তেক ;
আকাশত দেখা দিছে তৰাফুল এটি দুটি
লগে লগে শাৰদী জোনাক ।

অতি চেনেহৰ মোৰ গহীন দিখউ নই
ধীৰে ধীৰে বই গই আছে,
এটি দুটি সৰু ঢউ জোনাকৰ পোহৰত
তিৰ্‌বিৰ্‌ কৰি তাতে নাচে ।

পাৰৰ বিৰিণা জুপি জেউতি চৰিছে তাৰ
জোনাকৰ জিলিঙনি পাই ;
দুবৰি পাতত থকা নিয়ৰ টুপিয়ে দেখোঁ
খন্তেকতে বৰণ সলাই ।

দূৰৰ শেৱালি জুপি ওচৰ চপালে যেন
সন্ধিয়াৰ শাৰদী সমীৰে,
দিখউৰ সোঁতত্তো যেন ভাহি আহি তাৰে গোন্ধ
চউদিশ আকুলিত কৰে ।

... ...

লৰালি কালৰেপৰা সেই একেখনি নই
সেই ডৰা সেউজীয়া বন,
পুৰণি আকাশ, জোন, তৰা, বিৰিণাৰ পাত
আজি দেখোঁ সকলো নতুন ।

সকলোটি আজি যেন লাগিছে মনত মোৰ
আচহুৱা অচিনা-অজানা
পুৰণি সকলো মিলি কৰিছে এখনি যেন
নতুনৰ বিৰাট ৰচনা ।

... ...

এইখনি ঠাইতেই পোৱা নাই জানো বাৰু
আগে পিছে সুখৰ সোৱাদ,
আজি কিয় মন মোৰ হৈছে উদাস তেনে
নাই যেন একোতে আস্বাদ ।

আজি যেন জোনটিও নহয় হাঁহিৰে ভৰা
তৰাবোৰো ক্ষীণ-জ্যোতি প্ৰায়,
দিখৌৱেও আজি যেন আমন-জিমনকই
বই যায় কেনিও নাচায় ।

মনত জাগেহি আহি লৰালিৰ স্মৃতিবোৰ
তাতো আজি আনন্দ নাপাওঁ,
অতীতৰ সুখৰাশি নিমিষতে লোপ পায়,
ভাবি মই থৰ হই ৰওঁ ।

এবাৰ আকউ ঘূৰি কেউফালে চাই দেখো
সকলোটি আছে একেদৰে,
আনদিনা দৰে নাই কাষৰতে মাথো তুমি,
পৰাণ উদাস সেয়ে কৰে ।

———

আমাৰ মণিপুৰ ভ্ৰমণ

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

মণিপুৰৰ কথা কৈ ওৰ পেলাব নোৱাৰি । মণিপুৰৰ গুণ বখানো বুলিলে আৰু এখনি মহাভাৰত হব । আজিৰ দিনত অসমীয়াক মণিপুৰৰ চিনাকি দিবলৈ হলেও



শ্ৰীযুত নীলমণি ফুকন

একেটা ছেগতে নোৱাৰি । কিন্তু মণিপুৰে হ'লে অসমক চিনিও পায়, ভালও পায় । চিত্ৰাঙ্গদা বভ্ৰুবাহনৰ দিনৰে পৰা ধৰি কুৰঙ্গনয়নীৰ দিনলৈকে অসমীয়াই মণিপুৰীয়ে ৰণে-বনে ৰঙে-বেজাৰে সখি সাৰথিস্বৰূপ প্ৰীতিৰে বৰ্ত্তিছিল । টিকেন্দ্ৰজিতৰ দিনত দেশ-কাল কথা-কাৰ্য্য কিছু পৰিমাণে লৰিল ; আমাৰো মিতিৰ খোৱা মেল পকোৱা ভালেখিনি পাতলিল । মাজ ডোখৰত ন দিনৰ নতুন বতাহ পাই অসমীয়াৰো চকু ৰ'লগৈ কলিকতা কালীঘাটত, মণিপুৰীয়াৰো মন পালেগৈ নবদ্বীপ বৃন্দাবন । ফলত, খেম্‌টাৱালী বঙালনী বাইজীয়ে আমাৰো ডেৰগঞা নট-নাচনীৰ নাক কাটিলে, মণিপুৰৰো গন্ধৰ্ব্ব কিন্নৰীৰ কাণ কাঢ়ি মুঠিত ললে । কিন্তু, কালৰ গতি সদায় সমানে নেযায় । সেই গুণেই বোধকৰোঁ বিচ্ছেদৰ পিছত বিৰহ, আৰু সেই বিৰহতেই পূৰ্ণ মিলনৰ লগ্ন নিৰ্ণয় ।

মণিপুৰৰ আগৰে গুণ—আলহী সোধা ; আজিও আলহী সুধিবলৈ পালেহে মণিপুৰৰ কলিজাৰ ৰূপ চৰে । তাতে যদি আকৌ আলহীঘৰীয়া পুৰণি মিতিৰ অসমীয়া হয় তেতিয়া মণিপুৰীয়া গিৰিহঁতে বাহুও দিয়ে, বুকুও দিয়ে । মই মণিপুৰলৈ দুবেলিহে গৈছিলোঁ । পোনৰ বেলি মাথোন চোৱা-চিতা,—আঁৰে আবুৰে । তথাপি ঘৰ মুৱাঁ হওঁতে মৌ বৰষা মণিপুৰী মাতৰ—"অমুক্তং লেং বিৰক্ উ" (আকৌ আহিব দেই) কথাষাৰি বুকুত বান্ধি নোলোঁৱামানে ইম্ফালৰ ডেকা-চাঙত বন্দী হওঁ হওঁ যেনহে পাইছিলো । তেওঁলোকে আৰু ক'লে "নিজেও আহিব, বৰ আলহীকো আনিব ।" মই সুধিলো—"সৰু আলহীক



মণিপুৰলৈ যোৱা সমভূমিৰ ওপৰৰ বাট

একা ?" উত্তৰ পালো "সদায় আহিয়েই আছে, গৈয়েই আছে । আপোনালোকেহে পঢ়ি শুনি শিকি বুজি

আপোন পাহৰা হৈ আমালৈ পিঠি দিয়ে। আমি হ'লে বুকু কোচোৱা নাই দেই।" মণিপুৰত আছিলোমানে কথাষাৰ তং কৰি চাবলৈ আজৰিকে নাছিল। দুমজীয়া 'মাও' পালতহে কথাষাৰৰ ভেদ বুজিলো! সচাঁ কথা! অসমীয়া কলেজত পঢ়া গ্ৰেজুৱেটসকলৰ সলনি মণিপুৰৰ চা-চাকৰি কা-কাৰবাৰ বঙালীয়ে লুকুৱাই দেখুৱাই লুটিবই লাগিছে। মাথোন, ধনে-বিদ্যাই নাম নোহোৱা 'সৰু-আলহী' অসমীয়া হাটকৰা-বাটকৰা কিটিয়েহে যি মণিপুৰৰ মেল মিতিৰালি ফেৰি খাই ৰাখি আছে।

অকল আমি অসমীয়া কিটিৰেইহে যে 'তলে-পুতল' এনে নহয়। মণিপুৰীয়াৰো পেটে পেটে বুদ্ধি লেখত উঠা গুণ। বৰ আলহীজনকো তেওঁলোকে মনে মনে বাচিয়েই থৈছিল, বক্ৰবাহন কুৰঙ্গনয়নীৰ ডেকা-ডেকেৰী সকলে ভাস্কৰ, শঙ্কৰ, লাচিত, জয়মতীৰ দেশৰ ডেকা-গাভৰু ইতকতো চিনেই, আনকি আজিৰ আদৰাঙী অসমৰ আদহীয়া আথলীয়াসকলৰো কথা-কামৰ চিনাকি



মাও গেটত মটৰৰ ভিৰ

তেওঁলোকে 'মাও' পৰ্ব্বতৰ আৰৰেপৰা লৈ থৈছে। গতিকেই তেওঁলোকৰ সৰবৰহী বাচনিত উঠিল মৰি কলিজাত ঢল নমাওতা, উঠন অসমৰ গুৰি ধৰোতা; মনে মুখে কথাই-কামে, আজন্ম অসমীৰ সেৱক, বৰ অসমৰ বৰকথকী শ্ৰদ্ধাস্পদ শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়া। মই নিজে 'সৰু আলহী'ৰ শাৰীত



মাও গেটৰ আন এটি দৃশ্য

বৰ পাৰিমনে বুলি সোধাত ইম্ফালৰ উত্তৰ পালো (ওঁহো!) অৰ্থাৎ নোৱাৰা। কাৰণ মই বেপাৰো নকৰো, পামও নধৰো। গতিকেই মই বা মোৰ নিচিনা সকল সৰল মণিপুৰীৰ চকুত সৰু সুৰা মিতিৰ আলহীতকৈও আঁতৰ! সঁচা কথা। যি হওক, উকা আলহী স্বৰূপেই ফুকন ডাঙৰীয়াক লগত লৈ ১৯৩৩ চনৰ ১লা অক্টোবৰৰ দিনা মণিপুৰ বুলি ভৈয়াম এৰিলো।

কথাতেই কৈছে 'যোগ্যং যোগ্যেন যোজয়েৎ'। গতিকেই মণিপুৰৰ তৰফে আলহী তোলোতা গিৰিহঁত গৰাকীও গুণে গৌৰৱে কীৰ্ত্তি কৃতিত্বই বৰ আলহীৰে সৈতে একে শাৰী আৰু একে সুৰৰে লোক বুলিলেহে শুৱাই পৰে। ইম্ফাল নগৰ পাওঁ নাপাওঁতেই পদূলিৰ পৰা আমাক চংবিৰকউ (আহক) বুলি আদৰিলে। নবীন মণিপুৰৰ একচ্ছত্ৰ কৰ্ম্মগুৰু, মহাযোগী মহাপ্ৰাণ, অসম-বান্ধৱ, বীৰ মণিপুৰী, শ্ৰদ্ধাস্পদ ডাক্তৰ লৈৰেণ সিংহ ডাঙৰীয়াই। তেখেতৰ সোঁৱে-বাৱে সমুখে পিঠিয়ে অম্লানবদনে অক্লান্ত প্ৰাণে পালি ধৰিছিল প্ৰায় উঠন মণিপুৰ গোটেইখনেই। সেইবাবেহে কৈছোঁ, যে 'তিনিবাৰে নিবাৰ' হবলৈ নেপাই যদিও এই একেবাৰতে

আমি মণিপুৰলৈ গলোঁও, চালোঁও, পালোঁও;—তিনিওটি চৰাইকে একেপাতে কাঁড়েৰে বিন্ধিলো।

মণিপুৰৰ বৰ্ণনা অসমৰ কাকতে-পত্ৰে আজিকালি প্ৰায়েই ওলায়েই থাকে। ইয়াৰ আগতে 'আৱাহন'ৰ বুকতো মনোৰমা মণিপুৰৰ মনোমোহা দৃশ্য ৱলীৰ দুই-



গোবিন্দজীৰ মন্দিৰ (ৰাজভৱনৰ ভিতৰত)

চাৰিয়ে অসমীয়া পাঠক পাঠিকাৰ চিত, চকু জুৰাই থৈছে। অৱশ্যে অসমীয়া লিখাক বা খনিকৰে বঙালীৰ 'মাসিক বসুমতী'ৰ চুৰনি খোচৰা চট্টোপাধ্যায় মুখোপাধ্যায় উপাধিধাৰী এম্ এ, বি, এল্ লিখকসকলৰ দৰে কালীঘটীয়া সেন্দুৰৰ ফোঁটৰ সলনি জাতী-চন্দনৰ তিলক লোৱাৰ বাবেই কুৰঙ্গনয়নীৰ বাই ভনীসকলক 'সধবা বিধবা নাস্তি নাস্তি নাৰী পতিব্ৰতা' বুলি আগেয়েও কোৱা নাই, আজিও নকয়; আগলৈকো কব নোৱাৰিব।* তাৰ কাৰণো কটুকটীয়া; অসমীয়া চিৰকাল মণিপুৰৰ মিতিৰ, আৰু প্ৰবাসী বঙালীৰ "কৰ্ত্তা" আৰু "বাবু" সকল হৈছে মণিপুৰৰ শঠামিত্ৰ। ৰঙৰ কথা, আশাৰো বিষয়, ডেকা মণিপুৰে এতেদিনে নৱদ্বীপ শান্তিপুৰৰ যাচনীয়া চুমাৰ সোৱাদ বুজি পাইছে। আজিৰ মণিপুৰ আৰু বঙালী "প্ৰবাসী" "বসুমতী"ৰ চকুৰে দেখা "পাৰ্ব্বত্য গুহাবাসী" হৈ থকা নাই। আজি মণিপুৰী ডেকা বৰ অসমৰ বুকে-বাহুৱে। "সোণাৰ বাংলাৰো" কান্ধ পায়গৈ মানেও মাথোন দুদিনৰহে কথা!

বোলে একেই বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া। মণিপুৰৰ কথাও হ'ল তেনেকুৱা। একেই মহাসিংহৰ উদগণিত চেঙেলীয়া পোনা-পোৱালিহঁত দপ্‌দপাই আছিল, তাতে ওলালগৈ বাৰখন চহৰক একেখন পথাৰ কৰোতা বাগ্মীবৰ কথকী ফুকন। সেই কেইদিন মণিপুৰত লক্ষ্মীপূজাৰ ৰাসযাত্ৰাৰ প্ৰভাৱত চাৰিও পিনে দল্‌দোপ্ হোন্দোলদোপ্। শ্ৰীযুত নীলমণি ফুকনৰ পদাৰ্পনৰ লগে লগে ভকতিৰ বাণত শকতিৰ সোঁত পৰি যি অপূৰ্ব্ব প্ৰেৰণা সঞ্চাৰিত হ'ল তাক বৰ্ণাবৰ ভাষা মোৰ নাই। অক্টোবৰৰ ২ আৰু ৩ তাৰিখে ফুকনদেৱে মণিপুৰৰ চালে চকু জুৰোৱা ৰাজকাৰেং আৰু টোলত চকু ফুৰাই আৰু মণিপুৰীয়া ডা-ডাঙৰীয়াৰ ঘৰ ফুৰি মিতিৰ খাই ৪ তাৰিখে গধূলি 'কৈচাম্‌থঙ'ৰ হাইস্কুলত মণিপুৰীয়া কটনীয়ানসকলে দিহা কৰি বহুওৱা বিপুল সভাত তেখেতৰ মধুকণ্ঠ ৰুদ্ৰকণ্ঠ দুয়োটিকে অনৰ্গলধাৰে মণিপুৰৰ প্ৰাণ পথাৰত মুক্ত কৰি দিয়ে। পাশ্চাত্য শিক্ষাতো সুনিপুণ জৰ্জ্জ ইন্‌ষ্টিটিউটৰ প্ৰতিষ্ঠাতা আৰু শিক্ষাৰ্থী অসমৰ প্ৰাণৰ প্ৰিয়তম আৰু প্ৰেৰণাৰ উৎস, Practical Educationist নীলমণি



ৰাজভৱনৰ বুলনিচৰা

ফুকনে যে মণিপুৰতেই হওক বা পাতালপুৰীতেই হওক জয়জয়তে জাতীয় শিক্ষাৰ বিষয়েহে ক'ব তাক মণিপুৰীয়া ৰাইজেও বাৰুকৈয়ে বুজি থৈছিল।

*দৈনিক বাতৰি'ৰ ১৯ ছেপ্টেম্বৰ ১৯৩৫ চনৰ ৩য় পৃঃ প্ৰথম (ক) :— "মণিপুৰী ভাইসকলৰ কুৎসা ৰটনা" চাওক।

জাতীয় শিক্ষাৰেই সাধনাৰ তন্ময়চিত্ত সিংহপুৰুষ ডাক্তৰ লৈৰেণ সিংহকেই সভাপতিৰূপে পোৱাত যেন সোণত সুৱগা চৰিছিল। দৰবাৰী কাৰবাৰী মণিপুৰীয়া মুখিয়াল পুৰুষ ডেকাকে আদি কৰি প্ৰবাসী বিদেশী বঙালী ভদ্ৰলোককে লৈ ইম্ফালখনৰ ঘাই ফালেই সভাত ভাঙি পৰিছিলহি। সন্ধিয়া সাৰে সাত বজাত সিংহদেৱে ফুকনদেৱৰ অক্লান্ত কৰ্ম্মময় জীৱনৰ চমু আভাস এটি দি মণিপুৰীয়া ৰাইজৰ লগত তেখেতৰ চিনাকি লগাই দিয়াৰ পাছত আশা আনন্দৰ বিপুল হৰ্ষধ্বনিৰ লগে লগে উঠন অসমৰ কথকী ফুকনে নবীন প্ৰীতিৰ কটকী স্বৰূপে কথা কবলৈ উঠে।

ফুকনদেৱে কয় ;—"মণিপুৰ যে নামত ডাঙৰেই ইতিহাসতো ই মহাভাৰতৰ সমান পুৰণি। এইটো জনাজাত কথা যে মহাভাৰতৰ বীৰ অৰ্জ্জুনে নিজৰ পুত্ৰ বভ্ৰুবাহনৰ হাতত অপৰিচিতভাৱে হাৰ মানি ইয়াতেই জীৱন হেৰুৱাই পুনৰ জীৱন পাইছিল। তাৰ উপৰি এই ঠাই মোৰ কাৰণে অতি পৱিত্ৰ; কাৰণ ইয়াতেই আমাৰ মণিপুৰীয়া ৰাণী কুৰঙ্গনয়ণীক মহাৰাজ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে বিবাহ কৰি নিছিল,—যি ৰাণীয়েই এসময়ত মোৱামৰীয়াইঁতৰপৰা ভীষণ অভিসন্ধিৰ মাজেদি সিহঁতৰ



ৰাজভৱনৰ দৃশ্য

নেতা ৰাঘৱমৰাণক মাৰি আকৌ আহোম সিংহাসন ৰক্ষা কৰিছিল। সেই কাৰণেই এই ঠাই মোৰ নিমিত্তে আৰু পৱিত্ৰ যে ৰাণীৰ সমাধি ইয়াতেই আছে। সেইদৰেই তেখেতৰ পতি ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে মানৰ আক্ৰমণৰপৰা উদ্ধাৰ পাবৰ নিমিত্তে কৰা অভিযানত মণিপুৰী ৰাজক সৈন্য সামন্ত দি সহায় কৰিছিল। এই ঘটনাবোৰেই আমাৰ প্ৰাচীন ঐতিহাসিক সম্বন্ধৰ তথ্য উদ্ঘাটি উলিয়াই



দুৰৈৰপৰা ৰাজভৱন

প্ৰমাণ কৰে, আৰু সেই তথ্যবোৰ চিৰদিনলৈ সত্য হৈ থাকিব। আজি মই তৰুণ মণিপুৰৰ আগত থিয় হৈ তেওঁলোকৰ আগত মনৰ আন্তৰিক ভাব সম্পূৰ্ণৰূপে প্ৰকাশ হোৱা দেখিছোঁ আৰু তেওঁলোকৰ হৃদয়ৰ ভাবৰ হেন্দোলনি যেন মই অনুভৱ কৰিব পাৰিছোঁ আৰু সেই হেন্দোলনিয়ে মোৰ হৃদয়ত আঘাত কৰিছে। এই অলপ সময়ৰ ভিতৰতেই এটা কথাই মোৰ অন্তৰত খলক লগাইছে। তৰুণ মণিপুৰৰ হৃদয়ত শিক্ষাৰ বাণ উঠিছে আৰু মহাৰাজ মণিপুৰাধিপতিৰ অনুগ্ৰহত আজি যোৱা কেইবছৰমানৰ ভিতৰতেই মণিপুৰত শিক্ষাৰ গতি দ্ৰুতবেগে আগবঢ়া দেখা গৈছে। মই নিজে ভাবোঁ যে তৰুণ মণিপুৰে শিক্ষাৰ মাজেদি বৃহত্তৰ জীৱনৰ সপোন দেখি নতুন জীৱন লাভ কৰিবলৈ আগ বাঢ়িছে। তাকে দেখি মোৰ অন্তৰ আশাৰে ভৰি পৰিছে।"

সামৰণিত ফুকন ডাঙৰীয়াই কয়—"মই বাস্তৱিকতে মণিপুৰ দেখি আনন্দ পাইছোঁ। ইয়াত কোনো বস্তুৰ অভাৱ নাই ; সকলোৰে মুখত আনন্দৰ ৰেখা বিৰিঙি উঠিছে। তেওঁলোকৰ অতিথি সেৱা মন কৰিবলগীয়া। সকলোকে সন্তোষ দিবলৈ আৰু সকলোৰে লগত সন্তুষ্ট থাকিবলৈ তেওঁলোকৰ মনত ধাউতি। দেখা গৈছে

তৰুণ মণিপুৰে ইয়াৰ অতীত ইতিহাস মনলৈ আনিছে আৰু চকুৰ আগত তাতোকৈ উজ্জ্বল ভৱিষ্যৎৰ স্বপ্ন দেখিছে। এইবিলাক উদ্দেশ্য সিদ্ধি কৰিবলৈ তেওঁলোকৰ মাজত যাতে আৰু অধিক শিক্ষাৰ বিস্তাৰ ধাৰাবাহিক



মণিপুৰৰ ভূতপূৰ্ব্ব মহাৰাজা বীৰ টিকেন্দ্ৰজিতৰ ভৱনৰ ভগ্নাৱশেষ

চেষ্টা আৰু বিধিবদ্ধ কাম কৰা হয় মই আশা কৰো, আৰু বিশেষকৈ আশা কৰো যাতে আমি পৰস্পৰে পৰস্পৰৰ ভাষাৰ মাজেদি আৰু ঘনিষ্ঠভাৱে চিনাকি হ'ব পাৰোহঁক।"

ফুকনদেৱৰ বক্তৃতাৰ পিছত কলেজীয়া মণিপুৰীয়া ডেকা ভাইসকলৰ অনুৰোধত পৰি ময়ো বৰ্ত্তমান অসমৰ উন্নতি পথত মণিপুৰীয়া ডেকাসকলৰ কৰ্ত্তব্যলৈ আঙুলিয়াই তেখেতসকলক আহ্বান কৰি দু আষাৰমান কবলগীয়াত পৰিলো। কলেজীয়া ছাত্ৰ সকলৰপৰা শ্ৰীমান নবকিশোৰ সিংহ আৰু শ্ৰীমান এম্ থম্বি সিংহদেৱে ফুকনদেৱক আদৰণি সম্ভাষণ জনাই কিছু কয়। তেওঁলোকে কয় যে মণিপুৰৰ নিচিনা এখন ঠাইত শ্ৰীযুত ফুকন ডাঙৰীয়াৰ নিচিনা এজন পুৰুষক আদৰিবলৈ পাই তেওঁলোকে ধন্য মানিছে আৰু তেওঁলোকে আশা কৰে যাতে ফুকনদেৱে এই দৰে অহা যোৱা কৰি ছাত্ৰ সকলক হাতত ৰাখি মণিপুৰৰ লগত অসমৰ পুৰণি সম্বন্ধ আকৌ ঘূৰাই আনে। সমজুৱাৰ ফালৰপৰাও State office Superintendent শ্ৰীযুত ডব্লিউ চাম্বা সিংহ মহোদয়েও তেওঁলোকক সমৰ্থন কৰিয়েই ফুকন ডাঙৰীয়াৰ প্ৰতি কৃতজ্ঞতা জনাই দুআষাৰমান কয়।

সভাপতি ডাঃ লৈৰেণ সিংহ মহোদয়ে আপুৰুগীয়া আলহীৰ প্ৰতি কৃতজ্ঞতা জনাই কয় যে অসমীয়াসকলৰ অতীজৰেপৰা মণিপুৰীয়াসকলৰ লগত মিতিৰ হৈ আছিল আৰু এতিয়াও মুষ্টিমেয় মণিপুৰীয়াসকলে অসমীয়াসকলৰ লগত গোটেই উন্নতি পথত আগ নাবাঢ়িলে অন্য কোনো জাতিৰে লগত যে আগুৱাব নোৱাৰে ই ঠিক কথা। নিজে নিজে আগুৱাবলৈও তিমান শকতি নাপাব। তেখেতে মণিপুৰীয়া শিক্ষিত ডেকাসকলক আহ্বান কৰি কয়,—মণিপুৰীয়া ডেকাসকল! অসমীয়াৰ লগত থকা সেই পুৰণি মিতিৰালি ঘূৰাই অনাৰ দিন পৰিছে আৰু অসম আইৰ ভৱিষ্যৎ উন্নতি ঘাইকৈ ডেকাদলৰ (অসমীয়া আৰু মণিপুৰীয়া দুয়ো হতাহতিকৈ) ওপৰত নিৰ্ভৰ কৰিছে।"

অৱশেষত ডেকা কটনিয়ান ৰাজকুমাৰ শীতলজিৎ সিংহদেৱে শলাগৰ শৰাই আগ বঢ়াবলৈ গৈ কয় যে ফুকনদেৱৰ চেষ্টাতেই অচিৰতে অসমীয়া আৰু মণিপুৰীয়াৰ মাজলৈ পুৰণি মিতিৰালিৰ ভাব দুনাই আহি পৰিব বুলি আশা কৰে আৰু সেইকাৰণেই অসমীয়া ডেকাদলৰ (অসমীয়া আৰু মণিপুৰীয়া দুয়োৰে) নেতৃত্ব ফুকনদেৱৰ হাতত



লোকটাক হ্ৰদৰ এটি দৃশ্য

পৰিলে অচিৰতে শিক্ষা-দীক্ষা আদি বিষয়ত অসমে দোপত দোপে আগ বাঢ়িব। তেতিয়া ভাৰতৰ অন্য জাতিৰ ওচৰত অসমীয়ায়ে "A nation like nation" অৰ্থাৎ

এটা জাতিৰ লগত জাতি বুলি পৰিচয় দিব পাৰিব।

পিছদিনা পুৱা ৮ বজাৰপৰা মণিপুৰত নতুনকৈ স্থাপন কৰা 'Your High school'ৰ উদ্বোধন উৎসৱলৈ ফুকন ডাঙৰীয়াক 'ধৰ আলহী' স্বৰূপে নিমন্ত্ৰণ কৰি নিছিল। উদ্যোক্তাসকলৰ অনুৰোধতেই উদ্বোধন কাৰ্য্য সমাধা হোৱাৰ আগেয়েই ফুকন ডাঙৰীয়াই এটি স্বভাৱ সুলভ, শুৱলা আৰু উপাদেয় বক্তৃতা দিয়ে। কথকী ফুকনৰ বক্তৃতাৰ বিষয়ে 'দৈনৰ মণিপুৰী' বাতৰি কাকতত এই দৰে ওলায় :—"সেই অতুলনীয় বক্তৃতাই মণিপুৰৰ সকলো লোকক মুগ্ধ কৰিলে আৰু ফুকন ডাঙৰীয়াৰ বক্তৃতাই অসমীয়া আৰু মণিপুৰীয়াৰ পুৱণি মিতিৰালিৰ ক্ষৰিৰ লগুণ গাঁঠি লাগি পৰিল।"

সভাৰপৰা বিদায় লোৱাৰ আগতে ফুকন ডাঙৰীয়াই মণিপুৰী ডেকাসকলক সম্বোধন কৰি এই কেখাৰ বাণী দি আহিল—'মণিপুৰৰ চকু গজিছে আৰু হৃদয়ত



মণিপুৰী ডেকা ধলৰ মাজত ফুকন

উচ্চ আকাঙ্ক্ষা অহা-যোৱা কৰিছে। তকণ মণিপুৰে জীৱনৰ উচ্চ আদর্শ শিকাৰ মাজেদি চৰিত্তাৰ্থ কৰি অতীতৰ শকত ভেটিত ভবিষ্যৎ গঢ়ি তুলিবলৈ ইচ্ছা কৰিছে। এই কেইদিনৰ ভিতৰত মই মণিপুৰত যি দেখিলোঁ আৰু শুনিলোঁ সেই কথাত মোৰ মনলৈ বহুত আশা আনিছে। মোৰ বিশ্বাস সময় আহিছে যে বৰ্ত্তমান যুগৰ অসমীয়া আৰু মণিপুৰীয়া ভাইসকলে আকৌ অতীতৰ ছেৱোৱা সূতা নেছাৰ আঁত উলিয়াই উভয় দেশৰ দীঘ-বানিৰ এখন সুন্দৰ দিন যোৱা বনকৰা ফুলাম কাপোৰ তৈয়াৰ কৰিব। মণিপুৰ যথার্থতে এখন পুৱণি ৰাজ্য ; শিক্ষাৰ এটা নতুন আদর্শৰে ই নিশ্চয় আৰু উজনি বৈ উঠিব।"

সভাৰপৰা আহি ন জন কলেজীয়া ডেকা আৰু ডাঃ সিংহদেৱৰ লগত আমি দুই আলহী অসমৰ একমাত্ৰ হ্ৰদ 'লক্‌টাক্‌'লৈ ৰাওনা হলোঁ। তাতে ৰাতিটোৰ কাৰণে মৰাণ গাঁৱৰ 'খাদ্রাকপা'ৰ (অর্থাৎ মুখিয়ালমানুহ) ঘৰতে ভাল দৰে বং দেমালি কৰি থাই মেলি কটালোঁ। পিছ দিনা আবেলি প্ৰায় চাৰিমান বজাতহে এৰি ৰাতি আহি ইম্ফাল নগৰ পালোঁহি। মণিপুৰী ডেকাসকলৰ লগত এৰাতি কটাই আমি বেছ অনুভৱ কৰিলোঁহেঁক যে তেওঁলোক আমাৰ নিজা ভাই ককাইতে আৰু তেওঁলোকেও আমি তেওঁলোকৰ ঘৰৰ নিজা মানুহ বুলি ভাবিছিল বুলি অনুমান হৈছিল।

শনিবাৰ ৭ অক্টোবৰ তাৰিখে আমি জিৰণিৰ কাৰণে আৰু চাবলৈ বাকী থকা ঠাই চাবলৈ বুলি থাকি ৮ তাৰিখ দেওবাৰে ঠিক এসপ্তাহৰ মুবত মিতিৰৰ দেশ এৰিলোঁ। মণিপুৰত কটোৱা দিন কেইটা ভালদৰেই কটাই মিতিৰ কুটুমৰ ঘৰলৈও গৈ চা-চিনাকি হৈ লোৱা হ'ল। তাৰ ভিতৰত ভূতপূৰ্ব্ব মণিপুৰাধিপতি মহাৰাজ টিকেন্দ্ৰজিতৰ একমাত্ৰ সুযোগ্য পুত্ৰ মহাৰাজকুমাৰৰ পাশলৈ আৰু "অসমীয়া মণিপুৰী" শ্ৰীযুত পকুলচন্দ্ৰ বৰুৱা আৰু তেখেতৰ ভায়েক শ্ৰীযুত বেণুধৰ বৰুৱাদেৱৰ ঘৰলৈ যোৱাই উল্লেখ যোগ্য। আমাক তেখেতসকলে আইৰ ফালৰ কুটুম বুলিয়েই ধৰি যথেষ্ট ৰূপে সেৱা শুশ্ৰূষা কৰি পঠিয়ালে আৰু তাৰ লগে লগে তেখেতসকলৰ জীৱিতা মাতৃদেৱীৰ লগতো আমাক সাক্ষাৎ দি চা-চিনাকি দিয়া-লোৱা কৰিলে।

আমি থকাৰ গম পাই মণিপুৰৰ প্ৰত্নতাত্ত্বিক পণ্ডিত শ্ৰীযুত বাহাংবাম ইউম জাও সিংহদেৱে ফুকন ডাঙৰীয়াক মণিপুৰৰ State printing press office অলৈ মণিপুৰৰ পুৱণিকলীয়া বস্তু কিছুমান দেখুৱাবলৈ বুলি নিমন্ত্ৰণ কৰি পঠিয়ালে। শ্ৰীযুত ইয়ামজাও মহোদয়ে অসুস্থ অৱস্থাৱেই

অফিছলৈ গৈ আমাক বহুত পুৱণি মোহৰ, পুথি আৰু ফলি দেখুৱালে। সেই সকলোবোৰ একেবাৰে পুৱণি অসমীয়া ধৰণেই লিখিত আৰু চলিত হৈছিল। দেখুৱা বস্তুবিলাকৰ ভিতৰত অসমীয়া দ্বাদশ স্কন্ধ ভাগৱত পুথি এখন দেখুৱাইছিল। সেই পুথি সাঁচিপাতত লিখা আৰু তাক ১৭২৫ শকৰ ২০ বগাখত লিখা হৈছিল বুলি তাতে লিপিবদ্ধ আছে। এই সুযোগতে শ্ৰীযুত ফুকন ডাঙৰীয়াই তেনে এজন পণ্ডিতক পাই মণিপুৰৰ আৰু আমাৰ পুৱণি প্ৰত্নতত্ত্ব আৰু সামাজিক ৰীতি-নীতিৰ বিষয়ে প্ৰায় এঘণ্টামান কাল সমালোচনা কৰে। তেখেতৰপৰা জানিব পৰা গ'ল যে তেনে ধৰণৰ পুথি এতিয়াও মণিপুৰৰ গাঁৱে গাঁৱে, নামঘৰে নামঘৰে পৰিত্ৰভাৱে পাঠ কৰা হয় আৰু তাৰ ব্যাখ্যা মণিপুৰী ভাষাতে কৰা হয়। এইবোৰ দেখি শুনি আৰু ইয়াৰ আগতে ৰাস-যাত্ৰাৰ নাম-কীৰ্ত্তন, নাচ-বাদ্য চাই ফুকন ডাঙৰীয়াই মন্তব্য প্ৰকাশ কৰিছিল যে মণিপুৰতো অসমীয়া মহাপুৰুষীয়া দৰ্শ্ব আৰু গীত বাদ্যৰ প্ৰভাৱ একালত পৰিছিল বুলি অনুমান হয়। সেইদিনাও ফুকন ডাঙৰীয়াই পণ্ডিত গৰাকীৰ লগত সেই পুথিৰ প্ৰমাণ দেখুৱাই এই বিষয়ে কয় আৰু তেখেতেও তাক সম্পূৰ্ণৰূপে সমর্থন কৰে।

সিদিনা ৰাতি 'Your High School' উদ্বোধন উৎসৱৰ উপলক্ষে পতা মণিপুৰীয়া 'নবসিংহ' অভিনয়লৈকো আমাৰ নিমন্ত্ৰণ হৈছিল আৰু আমিও অভিনয়ৰ শেহলৈকে চাই তৃপ্তি পলালোঁ।

এইদৰে আমি আমাৰ মণিপুৰ যাত্ৰাৰ সপ্তাহটো কটালোঁ। তাত থাকি আমি বেছ হৃদয়ঙ্গম কৰিব পাৰিছিলোঁ যে মণিপুৰীয়া ভাইসকলে শিক্ষাৰ বিষয়ে বেছ চকু দিছে। তাৰ প্ৰমাণ হিচাবে একেখন নগৰতে তিনিটাকৈ ডাঙৰ হাইস্কুল আৰু প্ৰত্যেক গাঁৱতেই একোখনকৈ পঢ়াশালি আৰু তাৰ লগে লগে আমি এইটোও দেখিছিলোঁ যে তেওঁলোকে নিজে অসমীয়াৰ মিতিৰ বুলি চিনাকি দিবলৈ ভাল পায়। কথকী ফুকনৰ আগমনৰ এটা ড'ঙৰ ফল দেখিবলৈ পোৱা গৈছিল যে মণিপুৰীয়া ৰাইজৰ মনলৈ সেই কেইদিনৰ ভিতৰতে অসমীয়া জাতিৰ প্ৰতি এটা নতুন ধাৰণা উদ্ভৱ হৈছিল। তেওঁলোকে নিজে দেখি বেছ অনুভৱ কৰিব পাৰিছিল যে অসততো ফুকনৰ নিচিনা দেশসেৱী মানুহ ওলাব পাৰিছে। এইকথা কেবাজনো মণিপুৰীয়া ভদ্ৰলোকে মোৰ আগত উল্লেখ কৰিছিল।

শেহত আমি আশাকৰোঁ যাতে আমাৰ বৰমুৰীয়া সকলে তাৰ লগে লগে আমাৰ উঠি অহা ডেকাসকলে এইদৰে সুবিধা পালেই অসমৰ দীতি কাষৰীয়া ঠাই কেইটোৰেপৰত একোটা ভুমুকি মাৰি সেই মিতিৰসকলৰ লগত লেন-দেন কৰি সম্বন্ধ স্থাপন কৰিবলৈ চায়। তেতিয়াহে আমাৰ সকলোৰে 'বহল অসম' গঠন কৰাৰ পৰিকল্পনা মনলৈ অনাৰ সার্থকতা উপলব্ধি কৰিব পৰা যাব।



ৰূপৰ পূজা

গল্প]

—শ্রীযুত কৃষ্ণ ভূঞা

কোনোবা এজন নিদুৰ অমঙ্গলীয়া দেৱতাৰ কঠোৰ দৃষ্টিৰ তলত থাকি সেই তাইক স্নেহৰ প্ৰথম চুমাটি দিওঁতেই তাৰ বুকুখন কপি উঠিছিল –সি যেন কিবা এটা ভুল কৰিছে—কিবা এটা নোপোৱাৰ আশা যেন কৰিছে সি। কাৰবাৰপৰা বলেৰে কাঢ়ি লোৱা যেন তাৰ সেইদিনাৰ সুখকণ। * * *

আবেগেৰে উচ্ছ্বসিত উজ্জ্বল চকু দুটা সি মলয়াৰ সুন্দৰ মুখখনত বাখি কলে "মলয়া তুমি এদিন মোৰ হবানে?"

তাই তাৰ উত্তৰ দিছিল আৱেশভৰা চকুৰ এটি সলজ চাৱনিৰে।

অকণৰ জীৱন ভৰি আছিল কিবা এটা নোপোৱাৰ পিয়াহ, কিবা কিছুমান পুৱাৰ নোৱাৰা অভাৱ অনাটন। মাকক আই বুলি মাতিবলৈ নৌ পাওঁতেই মাকৰ শেষ হল। তাৰ কিছুমান দিনৰ পিছত বাপেকেও তাক সৰ্ব্বহাৰা সেই খুৰি আহিৰ নোৱাৰা দেশখনলৈ গুচি গল। দদাইক খুৰীয়েকৰ সংসাৰত কিছুমান দিন ধুমকেতু এটাৰ দৰে ওলমি থাকিল আৰু তেওঁলোকৰ দয়াতে অলপ অচৰপ পঢ়া-শুনাও শিকিলে। যেতিয়া বুজিলে যে সি তাৰ নিঃস্ব দদাইকৰ কেৱল আপদ এটা তেতিয়া সি কোমল বয়সতে বিচিত্ৰ সংসাৰলৈ অকলে ওলাই আহিল। ভাগ্যৰ ঘূৰ্ণিত পাক ঘূৰণি খাই হঠাতে এদিন স্কুল মাষ্টৰ এটা হৈ সি মলয়াইতৰ ওচৰ পালেহি।

মলয়াৰ দেউতাক সেই স্কুলৰে হেড মাষ্টৰ। প্ৰথমতে চিনাকি হল, লাহে লাহে তাৰ সৰলতা আৰু নম্ৰ স্বভাৱৰ কাৰণে সকলোৱে তাক মৰম কৰিবলৈ ধৰিলে, তাৰ পিছত সি তেওঁলোকৰ অতি আপোনাৰ দৰে হৈ পৰিল। কেওঁ কিছু নাইকিয়া মাউৰা সি—মলয়াৰ মাকে তাক নিজৰ লৰাৰ দৰেই মৰম কৰিলে। সিও আই বোপাই, ভাই ককাই, বাই ভনী নাইকিয়া সৰ্ব্বহাৰাৰ দৰে মাহুহটো—সংসাৰৰ ঠেকা খুন্দা ঘাত প্ৰতিঘাতত ভৰা তাৰ কৰুণ জীৱনটোৰ মাজত মলয়াহতৰ মাহুহঘৰৰ স্নেহ দয়া পাই তেওঁলোকক আপোনৰ দৰে বুকুত সাবটি ললে। মলয়াৰ মাকৰ মাতৃ স্নেহ পাই সি ধন্য মানিলে। সেই মাহুহ ঘৰৰ লগত দিয়া পোৱাৰ হিছাবেৰাৰ কৰিবলৈ পাই তাৰ জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ হল। এই অপ্ৰত্যাশিত স্নেহ মমতাবোৰে তাক বহুত শান্তি দি তাৰ মুখৰ ওপৰেদি বাগৰি গল। তেতিয়াহে সি বুজিছিল ছনিয়াত উপভোগ কৰিব লগাও বহুত আছে, কাৰণ সেইবোৰ আছিল তাৰ কাৰণে নোপোৱাই পোৱা।

মলয়াই তাক মামা বুলি মাতিছিল। সিও তাইক খুব ভাল পাইছিল। কিন্তু সি নিজেই কাহানিও ভাবি চোৱা নাছিল মলয়াক সি কেনেভাবে ভাল পায়। সেই সৃষ্টিৰ প্ৰাৰম্ভতে যিদিনা সৃষ্টিকৰ্ত্তাই যুবক যুবতীৰ প্ৰাণত কিবা এটা কাৰণে ইটোৱে সিটোৰ ওচৰ চাপি যাবলৈ এটা দুৰ্দ্দমনীয় স্পৃহা জগাই দিছিল—পৰস্পৰৰ প্ৰতি আকৰ্ষিত হবলৈ এটা নিয়ম বান্ধি দিছিল, তেতিয়াবেপৰা মাহুহে সেই নিয়মৰ বাহিৰ যাবৰ পথা নাই। তাৰে সৈতে মলয়াৰ তেনেকুৱা, কিবা এটা হৈ যোৱাটো স্বাভাৱিক।

...কিন্তু যেতিয়া তাৰ অন্তৰে মলয়াক চিৰকালৰ কাৰণে দাবী কৰিলে, যেতিয়া সুযোগ চাই জানি উঠা স্পৃহাটোৱে তাইক তাৰ বুকুৰ মাজলৈ অতি আপোনৰ দৰে টানিবলৈ বিচাৰিলে, তেতিয়া ভাবি চাই নিজেই আচৰিত হল। ক'ত আছিল, সময়-সোঁতত আহি ক'ত পৰি গৰহি। কিন্তু সি জানো জানিছিল সি কিবা এটা অন্যায় দাবী

আমাৰ মণিপুৰ ভ্ৰমণ

—শ্রীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

মণিপুৰৰ কথা কৈ ওৰ পেলাব নোৱাৰি। মণিপুৰৰ গুণ বখানো বুলিলে আক এখনি মহাভাৰত হব। আজিৰ দিনত অসমীয়াক মণিপুৰৰ চিনাকি দিবলৈ হলেও



শ্রীযুত নীলমণি ফুকন

একেটা ছেগতে নোৱাৰি। কিন্তু মণিপুৰে হ'লে অসমক চিনিও পায়, ভালও পায়। চিত্ৰাঙ্গদা বভ্রুবাহনৰ ৰিনবে পৰা ধৰি কুবঙ্গনয়নীৰ দিনলৈকে অসমীয়াই মণিপুৰীয়ে ৰণে বনে বঙে-বেভাবে সখি সাৰথিস্বৰূপ প্ৰীতিবে বৰ্ত্তিছিল। টিকেন্দ্ৰজিতৰ দিনত দেশ-কাল কথা-কাৰ্য্য কিছু পৰিমাণে লৰিল ; আমাৰো মিতিৰ খোৱা মেল পকোৱা ভালেখিনি পাতলিল। মাজ ডোখৰত ন দিনৰ নতুন বতাহ পাই অসমীয়াবো চকু ব'লগৈ কলিকতা কালাঘাটত, মণিপুৰীয়াবো মন পালেগৈ নবদ্বীপ বৃন্দাবন। ফলত, যেম্টাৱালী বঙালনী বাইজীয়ে আমাৰো ডেকাগ্ৰা নট-নাচনীৰ নাক কাটিলে, মণিপুৰবো গন্ধৰ্ব্ব কিন্নৰীৰ কাণ কাঢ়ি মুকুতা ললে। কিন্তু, কালৰ গতি সদায় সমানে নেযায়। সেই গুণেই বোধকৰোঁ বিচ্ছেদৰ পিছত বিবহ, আৰু সেই বিবহতেই পূৰ্ণ মিলনৰ লগ নিৰ্ণয়।

মণিপুৰৰ আগৰে গুণ—আলহী সোধা ; আজিও আলহী সুধিবলৈ গালেহে মণিপুৰৰ কলিজাৰ কণ চৰে। তাতে যদি আকৌ আলহীঘৰীয়া পুৱণি মিতিৰ অসমীয়া হয় তেতিয়া মণিপুৰীয়া গিৰিহিতে বাহুও দিয়ে, বুকুও দিয়ে। মই মণিপুৰলৈ ভৱলিহে গৈছিলোঁ। পোনৰ বেলি মাথোন চোৱা-চিতা,—আঁৰে আবুৰে। তথাপি ঘৰ ঘুৰা হওঁতে মৌ বৰষা মণিপুৰী মাতৰ—"অমুক্কং লেং বিবক্ উ" (আকৌ আহিব দেই) কথাষাৰি বুকুত বান্ধি নোলোৱামানে ইম্ফালৰ ডেকা-চাঙত বন্দী হওঁ হওঁ যেনহে পাইছিলো। তেওঁলোকে আক ক'লে "নিজেও আহিব, বৰ আলহীকো আনিব।" মই সুধিলো—"সক আলহীক



মণিপুৰৰ ঘোৰা নমদুমিৰ ওপৰৰ বাট

একা?" উত্তৰ পালো "সদায় আহিয়েই আছে, গৈয়েই আছে। আগোনালোকেহে পঢ়ি শুনি শিকি বুজি

ৰূপৰ পূজা

গল্প]

—শ্রীযুত কৃষ্ণ ভূঞা

কোনোবা এজন নিষ্ঠুৰ অমঙ্গলীয়া দেৱতাৰ কঠোৰ দৃষ্টিৰ তলত থাকি সেই তাইক স্নেহৰ প্ৰথম চুমাটি দিওঁতেই তাৰ বুকুখন কপি উঠিছিল—সি যেন কিবা এটা ভুল কৰিছে—কিবা এটা নোপোৱাৰ আশা যেন কৰিছে সি। কাৰবাৰপৰা বলেৰে কাঢ়ি লোৱা যেন তাৰ সেইদিনাৰ সুখকণ। * * *

আবেগেৰে উচ্ছ্বসিত উজ্জ্বল চকু দুটা সি মলয়াৰ সুন্দৰ মুখখনত বাখি কলে "মলয়া তুমি এদিন মোৰ ঘৰালে ?"

তাই তাৰ উত্তৰ দিছিল আৱেশভৰা চকুৰ এটি সলজ চাৱনিৰে।

অকণৰ জীৱন ভৰি আছিল কিবা এটা নোপোৱাৰ পিয়াহ, কিবা কিছুমান পুৱাৰ নোৱাৰা অভাৱ অনাটন। মাকক আই বুলি মাতিবলৈ নৌ পাওঁতেই মাকৰ শেষ হল। তাৰ কিছুমান দিনৰ পিছত বাপেকেও তাক সৰ্ব্বহাৰা সেই ঘৰি আহিব নোৱাৰা দেশখনলৈ ওচি গল। দদাইক খুবীয়েকৰ সংসাৰত কিছুমান দিন ধুমকেতু এটাৰ দৰে ওলমি থাকিল আৰু তেওঁলোকৰ দয়াতে অপদ অচৰপ পড়া-শুনাও শিকিলে। যেতিয়া বুজিলে যে সি তাৰ নিজৰ দদাইকৰ কেৱল আপদ এটা তেতিয়া সি কোমল বয়সতে বিচিত্ৰ সংসাৰলৈ অকলে ওলাই আছিল। ভাগ্যৰ ঘূৰণিত পাক খুবণি খাই হঠাতে এদিন স্কুল মাষ্টৰ এটা হৈ সি মলয়াইতৰ ওচৰ পালেহি।

মলয়াৰ দেউতাক সেই স্কুলৰে হেড মাষ্টৰ। প্ৰথমতে চিনাকি হল, লাহে লাহে তাৰ সৰলতা আৰু নম্ৰ স্বভাৱৰ কাৰণে সকলোৱে তাক মৰম কৰিবলৈ ধৰিলে, তাৰ পিছত সি তেওঁলোকৰ অতি আপোনাৰ দৰে হৈ পৰিল। কেওঁ কিছু নাইকিয়া মাউৰা সি—মলয়াৰ মাকে তাক নিজৰ লৰাৰ দৰেই মৰম কৰিলে। সিও আই বোপাই, ভাই ককাই, বাই ভনী নাইকিয়া সৰ্ব্বহাৰাৰ দৰে মানুহটো—সংসাৰৰ ঠেকা খুন্দা ঘাত প্ৰতিঘাতৰে ভৰা তাৰ কৰুণ জীৱনটোৰ মাজত মলয়াইতৰ মানুহঘৰৰ স্নেহ দয়া পাই তেওঁলোকক আপোনৰ দৰে বুকুত সাবটি ললে। মলয়াৰ মাকৰ মাতৃ স্নেহ পাই সি দঙ্গ মানিলে। সেই মানুহ ঘৰৰ লগত দিয়া পোৱাৰ ছিছাবোৰ কৰিবলৈ পাই তাৰ জীৱনৰ এটা নতুন আধ্যা আৰম্ভ হল। এই অপ্ৰত্যাশিত স্নেহ মমতাবোৰে তাক বহুত শান্তি দি তাৰ মুখৰ ওপৰেদি বাগৰি গল। তেতিয়াহে সি বুজিছিল দুনিয়াত উপভোগ কৰিব লগাও বহুত আছে, কাৰণ সেইবোৰ আছিল তাৰ কাৰণে নোপোৱাই পোৱা।

মলয়াই তাক মামা বুলি মাতিছিল। সিও তাইক খুব ভাল পাইছিল। কিন্তু সি নিজেই কাহানিও ভাবি চোৱা নাছিল মলয়াক সি কেনেভাবে ভাল পায়। সেই সৃষ্টিৰ প্ৰাৰম্ভতে যিদিনা সৃষ্টিকৰ্ত্তাই যুবক যুবতীৰ প্ৰাণত কিবা এটা কাৰণে ইটোৰ সিটোৰ ওচৰ চাপি যাবলৈ এটা দুৰ্দ্দমনীয় স্পৃহা জগাই দিছিল—পৰস্পৰৰ প্ৰতি আকৰ্ষিত হবলৈ এটা নিয়ম বান্ধি দিছিল, তেতিয়াদেপৰা মানুহে সেই নিয়মৰ বাহিৰ ওলাব পৰা নাই। তাৰে সৈতে মলয়াৰ তেনেকুৱা, কিবা এটা হৈ যোৱাটো স্বাভাৱিক।

...কিন্তু যেতিয়া তাৰ অন্তৰে মলয়াক চিৰকালৰ কাৰণে দাবী কৰিলে, যেতিয়া সুযোগ চাই আপি উঠা স্পৃহাটোৱে তাইক তাৰ বুকুৰ মাজলৈ অতি আপোনৰ দৰে টানিবলৈ বিচাৰিলে, তেতিয়া ভাবি চাই নিজেই আচৰিত হল। ক'ত আছিল, সময়-সোঁতত আহি ক'ত পৰি গলহি। কিন্তু সি জানো জানিছিল সি কিবা এটা অন্যায় দাবী

কৰিছে বুলি, জানিছিল জানো সি পোৱাখিনিও হেৰুৱাই পেলাবৰ উপক্ৰম কৰিছে বুলি।.....

সি পাইছিল এটা বিৰাট তৃপ্তিৰ সন্ধান আৰু এয়ে হল সকলোবে উত্তৰ।

স্কুল ছুটী হোৱাৰ পিছত অফসৰ সময়টোৰ বেছি ভাগ তাৰ মলয়াইতৰ ঘৰত থাকোতেই যায়। সেইদিনা মলয়াৰ দেউতাক গধুলি ফুৰি আহি অকণক ঘৰতে লগ পাই কলে—"অকণ তুমি যাবৰ সময়ত মোক লগ ধৰি যাবাচোন"। তাৰ মনটো উগুল খুগুল লাগিল, অহাৰ সময়টো চমু কৰি সি কিবা এটা আশঙ্কা লৈ তেওঁৰ ওচৰলৈ গল। মলয়াৰ দেউতাকে কলে "অকণ এই অহা মাহত মলয়াৰ বিয়াখন পাতিব খুজিছোঁ। তুমি মোক অলপ সহায় কৰিব লাগিব।" সেই অপ্ৰত্যাশিত কথাষাৰ শুনি সি অবাক হল। সি ভবাই নাছিল মলয়াৰো যে কোনোবা এটাৰ লগত বিয়া হব—মলয়াও যে এদিন পৰ হৈ তাৰ ওচৰপৰা আতৰি যাব। সপোনতেও যেন কোনোবাই তাক চিঞৰি চিঞৰি ভীষণ বাতৰি এটা দি গল। কিন্তু হেড মাষ্টৰৰ উৎসুক চকু দুটাৰ ফালে চাই বুজিলে সপোন নহয়—কঠোৰ বাস্তৱ। সি নিজক সংযত কৰিবৰ চেষ্টা কৰি কলে, "মলয়া—মলয়াৰ বিয়া—পিছে সঘৰ ক'ত ঠিক কৰিলে ?"

হাঁহি তেওঁ কলে "ইহঁত দকৰা এইবাৰ যে নতুনকৈ মুনচুপ হৈছে।" সি হাহিবৰ চেষ্টা কৰি কলে "বেছ কথা, শুনি বৰ সন্তোষ পালো। মোক আকৌ কৰ লাগিছেনে—শক্তিয়ে আঁটে মানে সহায় কৰিম।"

"বাক কৈছে থলো আৰম্ভণি হলে বিচাৰিলেই যেন পাও" বুলি কৈ তেওঁ তাক সন্তোষ মনেৰে বিদায় দিলে।

সি ঘৰলৈ আহিয়েই বিছনাত পৰিল। মনত পৰাবে পৰা তাৰ জীৱনটো সি এবাৰ ঘূৰি চালে। ইমান হতভাগ্য সি—কেৱল ব্যৰ্থতা—কাঁইটীয়া তাৰ জীৱনৰ বাটত পাই বুটলি লোৱা সুখকণ তাকো হেৰুৱাই পেলালে।...হওঁতে সিয়েই বলিয়া—বেছি আশা কৰিছিল সি। সেইদিনা সেই মুহূৰ্ত্তত যেতিয়া মুকলি বিশ্বত সি জীৱনৰ প্ৰথম স্পন্দন অনুভৱ কৰিছিল তেতিয়া আকাশৰ তৰাবোৰ ইমান নিৰ্দ্দয়ভাৱে খুণ খাইছিলনে ?

অসুখ হোৱাৰ ভাও ধৰি কেইদিনমান স্কুললৈ নোযোৱাকৈ থাকিল। আৰু সেই চেলুতে মলয়াইতৰ ঘৰলৈ নোযোৱাকৈ থাকিল। সি মলয়াৰ ওচৰৰপৰা আতৰি অহাই ভাল বুলি ভাবিলে। দুৰ্দ্দমনীয় বাসনা চেপা মাৰি বাখি তিন দিন সি মলয়াৰপৰা আতৰত থাকিল। সেই কেইটা বিনিদ্ৰ নিশা আৰু অকৰণ দিন সি কিমান ভাবিলে—কোনেও কব নোৱাৰাকৈ কিমান কান্দিলে। ইতিমধ্যে এদিন মলয়াৰ দেউতাকে তাৰ খবৰ কৰি গলহি। গা বেয়াৰ ভাও ধৰোতে, ভাবোতে তাৰ সঁচাকৈয়ে মুৰ কামোৰণি হল। সেইদিনা কামোৰণিত তত নেপাই মুৰত গামোছা এখন বান্ধি সি বিছনাত পৰিল। দুৱাৰখন খোলা আছিল। ওচৰৰে পুখুৰীটো আৰু তাৰ পাৰৰ গছ কেইজোপা, —তাৰ আচিনাকি যেন লাগিল।—ক'ৰ পুখুৰী কৰ গছ—সি ভাবিলে। অতদিন তাৰ প্ৰবহুৱা জীৱনটোৰ কথা পাহৰিয়েই আছিল। তাৰ মনত পৰিল ওগজা ঠাইখনলৈ, য'ত জীৱনৰ সৰহ ভাগ কটালে। এতিয়াৰ ক'ৰ সুদূৰ দুৰত পৰি আছেহি—বিশদত মাত এষাৰ দিবলৈও আপোন মানুহ এটা নাইকিয়া ; অকলশৰে প্ৰবাসত পৰি আছেহি। অতদিন মলয়াইতৰ লগ পাই সি এইবোৰ পাহৰিয়েই আছিল। সি কৰ নোৱাৰাকৈয়ে কেইটোপমান চকুৰ পানী বাগৰি পৰিল। সি তাৰ দুৰ্দ্দমতাৰিনিৰ কাৰণে অপ্ৰস্তুত হৈ লবালবিকৈ মুছি পেলালে। কিন্তু সি আৰু সেই নীলা পানীলৈ সৈতে পুখুৰীটোৰ আৰু গছ কেইজোপাৰ ওপৰেদি উৰি যোৱা ডাৱৰবোৰৰ ফালে চাব নোৱাৰিলে। গাকত মুৰটো গুজি শুৱৰ চেষ্টা কৰিলে।

"মামা !"

মুখ তুলি চাই সি আনন্দত উন্মাদৰ দৰে জপিয়াই উঠিল।...কি মলয়া—তাৰ বুকুৰ বাণী মলয়া আছিছে তাৰ ঘৰলৈ।...কেনেকৈ আদবিব সি—কিহেৰে ? এটা যেন বিৰাট বিস্তৃতা আহি পৰিল। মলয়াই বিছনাৰ ওচৰ চাপি তাৰ মুখৰ গামোছা খনলৈ তীব্ৰভাৱে লক্ষ্য কৰি কলে "মামা তোমাৰ গা বৰ অসুখ নেকি ?"

বিছনাৰপৰা উঠি সি চকীখন আনি বহিবলৈ দিবৰ চেষ্টা কৰি কলে "গা, গা বৰ ভাল নহয়।" মলয়াই নিজে চকীখন টানি আনি বহিল। অৰুণে মলয়াৰ সৰু ভায়েক টোক কোলাত বহুৱাই লৈ কলে "মলয়া তুমি আহিলা।"

"এৰা, তুমি কেইবা দিনো আমাৰ ঘৰলৈ যোৱা নাই, তোমাৰ গা বেয়া বুলি শুনি চাবলৈ আহিলো।"

কিবা কিবি কথা পাকোতে সন্ধ্যা হৈ আহিছিল। শেতা তৰাটোৰ ফালে চাই সি হুমুনিয়া এটি কাঢ়ি কলে "মলয়া তোমাৰ তেনে বিয়া হব অলপতে।" মলয়াই সহজভাৱে উত্তৰ দিবৰ চেষ্টা কৰি কলে "এৰা দেউতাই হওঁতে খুব ধুম ধাম লগাইছে।" অৰুণে কৰুণ কাতৰ ভাৱে তাইৰ মুখলৈ চালে। লাজকুৰীয়া মলয়াই লাজ নাইকিয়া মানুহৰ দৰে একে থৰে তাৰ ফালে চাই থাকিল। অৰুণে কিবা এটা কব খুজিছিল তাই 'যাওঁ' বুলি কৈ ঘপ্ কৰে উঠিল। আৰু মেজখনৰ ওচৰলৈ গৈ কিতাপ-বোৰ পিটিকি কলে "চাওঁ মামা পেন্সিলডাল দিয়াচো।" পেন্সিলডালেৰে কাগজ এটুকুৰাত কিবা এটা লিখি গুচি আহিল। সি লেমটো জ্বলাই কাগজ টুকুৰা পঢ়ি চালে তাত লিখা আছিল 'মই, তোমাৰ ; দেউতাৰ আগত তোমাৰ লগত মোৰ বিয়াৰ প্ৰস্তাৱ কৰিবা।'

...ইমান ভাল-পোৱা মলয়াৰ তাৰ প্ৰতি। সি আনন্দত গান এটাকে গাবৰ চেষ্টা কৰিলে। নিজৰ অজ্ঞতাখিনিক আভিশাপ দি ভাবিলে ইমান মূৰ্খ সি—সি দেখোন কেতিয়াবাই মলয়াৰ দেউতাকৰ আগত প্ৰস্তাবটো কৰি চাব পাৰিলেহেতেন। ইমানকণ বুদ্ধিও নাহিলনে তাৰ মূৰলৈ মলয়াই নকলেমানে। সিনো কিহৰ অযোগ্য, ৰূপ আছে তাৰ—যৌৱন আছে স্বাস্থ্য আছে। তেনে? দুৰ্ব্বুদ্ধি।

পিছদিনা মলয়াৰ দেউতাকক সি নীৰলে লগ ধৰি কথা প্ৰসঙ্গত কলে "মই মলয়াৰ পাণিপ্ৰাৰ্থী—মলয়াক মই বৰ ভাল পাওঁ আৰু মলয়া—"

"চুপ" নিষ্ঠুৰভাৱে হেড মাষ্টৰে কলে। অৰুণৰ গোটেই গা প্ৰাণ পৰ্য্যন্ত কপি উঠিল। চকু ৰঙা কৰি তেওঁ কলে "অৰুণ তোমাক অতদিন বৰ ভাল মানুহ বুলিয়েই ভাবিছিলো। আপোনৰ দৰে ভাবি ব্যৱহাৰ কৰাৰ কাৰণেই ইমান সাহ পালা নহয়। যোৱা ইয়াৰ পৰা বেগতে ; এই ঘৰত আৰু তোমাৰ ঠাই নহব।"

মুখৰ মাত নোলাব খুজিছিল—সি দেহৰ সকলো শক্তি উজাৰ কৰি দি কপি কপি কলে "মই—মই কিহৰ কাৰণে মলয়াৰ অযোগ্য—"

"হোঃ কিহৰ কাৰণে—তোমাৰ নিচিনা চালছিগা এটা যাৰ থাকিবলৈ ঘৰ এখন নাই—কুৰি টকীয়া মাষ্টৰ এটা!"

"মোৰ টকা নহব পাৰে কিন্তু হিয়া এখন—"

"টকা—টকা লাগে।"

সি বাহিৰলৈ ওলাই আহিল, মুকলি আকাশখনে কলে টকা লাগে—বতাহ ছাটিয়ে কলে টকা লাগে, চৰাই টোৱে কলে—টকা লাগে—টকা-টকা-টকা। ঘৰত আহি শুবৰ চেষ্টা কৰিলে কিন্তু অচিনাকি মুনছুপ এটাই যেন তাৰ আগত কিছুমান টকাৰ ওপৰত থিয় হৈ কলে—দুনিয়াৰ সুখ কেৱল তেওঁৰ—দুনিয়াখন কেৱল তেওঁৰ কাৰণে। শুব নোৱাৰি উঠি গৈ মূৰত চেচা পানী কিছুমান ঢালি চকীখনত বহি থাকোতেই ৰাতি পুৱাল।

দিনটো কোনো ৰকমে কটাই গধূলি ছুটকেছটো লৈ ঘৰৰপৰা ওলাই পৰিল। কব নোৱাৰে কোন বাটেদি যাব, তাৰ অভিশপ্ত জীৱনৰ বাকী ছোৱা কোন অজান দেশত শেষ কৰি পেলাবলৈ ওলাইছে সি। কৰবালৈ গুচি যোৱাটোৱেই আছিল শেষ পথ তাকে কৰিবলৈ ওলাল। মলয়াহঁতৰ ঘৰৰ পদূলি পাই তাৰ ভৰি নচলা হ'ল। আঃ কি ভাগ্যৰ চলন, সিদিনা সি অতি আপোন মানুহটোৰ দৰে সিহঁতৰ ঘৰলৈ গৈছিল, আজি অচিনাকি বাটকৰা এটাৰ দৰে সিহঁতৰ পদূলিয়েই গুচি যাব লগা হল। কত দিন আনন্দ মনেৰে এই পদূলিয়েদি অহা যোৱা কৰিলে, কেই দিন বিদায় পৰত মনে মনে দি অহা চুমাটোৰ পৰশখিনি ওঁঠত লৈ ক্ষন্তেকীয়া স্পৰ্শৰ কপনিখিনি বুকুত লৈ আৱেশত বিভোৰ হৈ ঘূৰি আহোতে এই পদূলিৰ দুবৰি বনতে উজুটি খাই পৰিল। আৰু আজি সেই গোটেই পদূলিটোতে কোটকোৰা কাইট হুলৰ ওপৰতে হুল, গাত

আৰু বোকাৰে দুৰ্গম। এই যোৱাই কিজানি শেষ যোৱা। সি ভাবিলে যাবৰ সময়ত মলয়াক এৰাৰ চাই যাবলৈ বৰ মন গল, মিছাকৈয়ে সি খোলা খিৰিকিখনেদি দূৰৰপৰাই চাই পঠিয়ালে খিৰিকিয়েদি অহা পোহৰটো চকুৰ পানীত জলক-তবক্ কৰি যেন কলে টকা লাগে।.....

লাহে লাহে আগবাঢ়িল। এটা দীঘল ৰাতি উজাগৰে থাকি সি কেৱল খোজ কাঢ়িলে।

তেতিয়া নিজান হাবি এটুকুৰা পাইছিল গৈ। তাৰ ভাগৰো লাগিছিল। আলিৰ কাষৰ গছ জোপাৰ তলতে বহিল। কেউফালে চাই দেখিলে কেৱল হাবি। বহুত দূৰলৈকে গছগছনিৰ বাহিৰে একো দেখা নগৈছিল। মানুহৰ গোন্ধ ভাপেই নাই। কেইটামান বনৰীয়া চৰাইৰ বিকট মাতে মাথোন থিয় পাহাৰটোৰ অলস টোপনিৰ ব্যাঘাত কৰিছিল। আৰু তাৰ হিয়াৰ মাজৰ সেই পাহৰিব নোৱাৰা কথাটোৰ শব্দ—মলয়াৰ দেউতাকে 'টকা লাগে' বুলি কোৱা কথাষাৰ এটা মাৰ নোযোৱা প্ৰতিধ্বনি।

.....তেনে ধন—ধনেই মানুহৰ চৰম লক্ষ্য—সি ভাবিলে। ধন নাইকিয়া মানুহ সি আকৌ প্ৰেম কৰিছিল, বলিয়া। বাৰু সিও ধন ঘটিব সিও ধনী হব। কিবা এটা কঠোৰ প্ৰতীক্ষাৰ কাৰণে সি তাৰ হিয়াখন কঠোৰ কৰি পেলালে।

তাৰ পিছত চহৰ পাই সি ৰেলত উঠি সুদূৰ বিদেশলৈ যাত্ৰা কৰিলে।

* * * * *

কয়লাখনিৰ বিৰাট কাণ্ড। পৃথিবীৰ বুকু ছিৰি কিছু-মান কলা কয়লা উলিয়াই জগতৰ জড়বাদ উন্নতিক ক্ৰমে ওখলৈ তুলি নিবলৈ বিজ্ঞানৰ অনন্ত প্ৰচেষ্টা যেন চলিছে। প্ৰকাণ্ড প্ৰকাণ্ড কাৰখানা ঘৰবোৰ ৰমক জমক কল কব্জাবোৰৰ দুম দাম ফচ্ ফাচ্ শব্দ, আটাইবোৰ যেন বিজ্ঞানৰ অদ্ভুত শক্তিৰ চৰম নিদৰ্শন। হেজাৰ বিজাৰ শ্ৰমিক কুলী, সিহঁতক হুকুম দিয়া কৰ্ম্মচাৰীবোৰ—ধোঁৱা আৰু কয়লাৰ পাহাৰেৰে কলা দেশখন ; তাৰ ভাল লাগিল। সি ভাবিলে তাৰ দেশৰ মানুহবোৰৰপৰা—তাৰ সমাজৰপৰা তাৰ ভাই বন্ধুবোৰৰপৰা আতৰি সি তাত মানুহৰ মাজতে লুকাই থাকিব পৰিব ; কোনেও তাক বিচাৰি নাহে—কোনেও নোসোধে কবপৰা আহিছে সি। যি বিচাৰি আহিছে তাকে সি অকলশৰে জীৱন দিও তাতে বিচাৰি ফুৰিব।.....

সেই মাত কথা নুবুজা কত ৰকমৰ কুলীবোৰ—সিহঁতৰ দৰে সিহঁতৰ লগতে সিও কয়লাখনিত কাম কৰিবলৈ ওলাই যায়। কামৰ ছুটী হলে লতুৰি পুতুৰি কয়লাৰ মানুহ এটা হৈ সি সেই তাৰ থকা ঠাই লেতেৰা সঙ্কীৰ্ণ কোঠাটোলৈ আহি ৰাতিটো পৰি থাকে। মাহেকৰ মূৰত পোৱা কেইটকামান ৰূপ সিয়েই তাৰ সাধনাৰ মাণিক। তাকে পাই সি পাহৰি থাকে তাৰ কঠোৰ কৰ্ম্ম ক্লান্ত নীৰস জীৱনটো। লাহে লাহে জীৱনৰ কোমলতাবোৰ হেৰুৱাই পেলালে। কয়লাৰে কলা তাৰ জগতখনৰ মাজত সি অতীত জীৱনৰ পোহৰকণ হেৰুৱাই পেলালে। সিও যেন এতিয়া লৰ চৰ কৰিব পৰা কৰ্কশ কয়লা এডোখৰ। এটোপা তেজ দি ঘটে এটা পইছা—পইছাৰ কাৰণেই জীৱনটো দি আহিব ধৰিলে। কেতিয়াবা তিতা লাগে—সহিব নোৱাৰা হয়, তেতিয়া টকা গোটোৱা বাকছটো মেলি সি কুবেৰৰ ধনৰ ভাণ্ডাৰৰ সপোন দেখি সকলো পাহৰি যায়।.....

তাৰ বহুত দিনৰ পিছত এদিন কেইবাটাও ধনৰ মোনা লৈ সি তাৰ সঙ্কীৰ্ণ কোঠাটো এৰি গুচি আহিল। প্ৰকাণ্ড চহৰখনৰ এঠাইত ঘৰ এটা লৈ দোকান এখন খুলিলে।.....

সি কব নোৱাৰাকৈয়ে কত দিন কত বছৰ পাৰ হৈ গল। এদিন আহিল যিদিনা সি ভাগ্যৰ চকা-পঞ্জাৰ জুৱাখেলখনত এটা ভীষণ দান মাৰিলে। এতিয়া আৰু ঐশ্বৰ্য্যৰ বিপুল ভাণ্ডাৰ তাৰ দুষ্প্ৰাপ্য মুকুতা নহয়। এতিয়া সি প্ৰকাণ্ড সদাগৰ তাৰ দোকান গুচি, 'ফাৰ্ম্ম' হল। তাৰ দোকানত এতিয়া মেনেজাৰ কেৰাণি 'ছেলছমেন' সকলো আছে। লগে লগে সি এটা ডাঙৰ 'মনিলেণ্ডাৰ' মহাজন। এতিয়া কিছুমানে তাক শ্বাইলক বুলি কয় কিছুমানে ৰকফেলাৰ বোলে আৰু যক্ষ ধনগুলৈ আৰু কত কি বোলে।...আৰু সি—অনন্ত তাৰ ধনৰ পিয়াহ

নমৰিল। এতিয়াও ধনৰ হিছাব নকৰাকৈ তাৰ এদিনো নাযায়।

এদিন হিন্দুস্থানী মানুহ এটা আহি কলে যে তাৰ সুদ ইমান বেছি হৈছে যে তাক অলপ ৰেহাই নিদিলে তাৰ লৰা ছোৱালী বাটত থিয় দিব লাগিব। সি খাইলকতকৈও নিৰ্ম্মম হৈ কলে "ওহো মোটেই নোৱাৰে। মোৰ বৰ্ত্তমান টকাৰ বৰ দৰকাৰ সোনকালে সুদে মূলে আদায় কৰিবি।" সঁচাকৈয়ে যেতিয়া মানুহটোৱে মাটি ভেটি বেছি ধাৰ মাৰিলে; অকণে সিহঁতক গছৰ তলত দেখা পাই সহজভাৱে কলে "টকা নাইকিয়া মানুহে যে গছৰ তলতে আশ্ৰয় পায় সেয়ে যথেষ্ট। জগততো সিহতৰ ঠায়েই নাই।"

এনেকৈয়ে পিশাচৰ দৰে ধন ঘটিলে সি।

সেইদিনা অফিছ কমত বহি কিবা কিছুমান হিছাব পৰীক্ষা কৰিছে। বতাহ এছাটি আহি মেজৰ ওপৰৰ কাগজ কেইখনমান উৰাই লৈ গল। সি বাহিৰলৈ চাই দেখিলে আবেলিৰ আকাশৰ ডাৱৰবোৰে নানান ৰং ধৰি ধুনীয়া হৈ পৰিছে। ডাৱৰৰ ফাকে ফাকে অহা ৰশ্মিবোৰ সিচৰীত হৈ পৰিছে। বিৰাট নীলা আকাশখনৰ তলত থাকি কিবা এটা মুকলি হাঁহি হাঁহি বিশ্বখন যেন পুলকিত হৈ উঠিছে। তাক যেন বাহিৰৰ মুকলি বতাহলৈ ওলাই যাবলৈ এটাইবোৰে মাতিলে। সদায়তো হিছাব কৰিছে আজি অলপ ফুৰি অহাই যক, সি ভাবিলে; বহি কেইটা জপাই কাপোৰ পিন্ধি মূৰটো আচুৰিবলৈ আয়নাখনৰ ওচৰলৈ গল।

মূৰ ফনিয়াওতে পকা তাৰ চুলিবোৰত চকু পৰিল। চুলি কোছা ভালকৈ চাই দেখিলে বেছি ভাগেই শুভ্ৰ হৈ পৰিছে। সি অপ্ৰত্যাশিত কিবা এটা দেখি যেন চক খাই উঠিল। সি আয়নাখনৰ আৰু ওচৰলৈ তাৰ মুখখন নি পলকহীন দৃষ্টিৰে নিজৰ চেহেৰাটোৰ ফালে চাই থাকিল। জ্যোতিহীন হৈ পৰিছে চকু দুটা—গাতত বহি গৈছে। মিহি তাৰ গাল দুখনৰ চালত কৰ্কশতা এটা আহি পৰিছিল, সুন্দৰ তাৰ চেহাৰাটো কিবা এখন কলা আবৰণে যেন ঢাকি পেলালে। দাত কেইটা চালে তাৰো গুৰি ওলাই গৈছে। সি অসাৰ হৈ চকীখনত বহি পৰিল। নিজৰ হাত-ভৰিবোৰ নিজে পিটিকি চালে তাৰ দেহত আৰু যৌৱনৰ স্ফীততা নাছিল, চালখন কোমল হৈ শিৰবোৰ ওলাই পৰিছে। গোটেই দেহত অকাল বাৰ্দ্ধক্যৰ অকুৰূপ চিন। সি আয়নাখন ওচৰলৈ টানি আনিলে আৰু তাৰ মৰাৰ নিচিনা শেতা কুৎসিৎ জৰাৰ শোচনীয় অত্যাচাৰৰ আগবতৰা থোপ খোৱা কপালৰ গভীৰ ৰেখাৰ সৈতে মুখখনৰ প্ৰতিবিম্বটোৰ ফালে থৰ হৈ চাই ৰল।

.....তেনে? সি বুঢ়া হল? অভাগা, ধন ঘটোতে ঘটোতে সি কব নোৱাৰাকৈয়ে জীৱনৰ গৌৰৱময় মধুৰ দিনকিটা হেৰুৱাই পেলালে। বিদেশত টকা বিচাৰোতেই জীৱনৰ অমূল্য বিশটা বছৰ সি গম নোপোৱাকৈয়ে হেৰুৱাই পেলালে। দুনিয়াৰ ঐশ্বৰ্য্য দি ঘূৰাই পাব নোৱাৰা তাৰ জীৱনৰ সম্পদখিনি নিষ্ঠুৰ কালে তাক টকা দি ফুচলাই লৈ গল। আজি কঠোৰ কামৰ হেচাত পঞ্চল্লিশ বছৰতে বুঢ়া হোৱা কুবেৰ এটা সি। আগলৈ বুলিবলৈ আছে নিৰানন্দময় বুঢ়া মানুহৰ ভগা জীৱন এটা।

জীৱনত জানো অকল ধনকে বিচাৰিছিল সি। তাৰ মনত পৰিল সেই তাহানিখনৰ মাষ্টৰ হোৱা দিনকিটালৈ মলয়ালৈ আৰু মলয়াৰ দেউতাৰ টকাৰ কথালৈ। আজি তেওঁক সি ধনেৰে পুতি পেলাব পাৰে, কিন্তু সেই মলয়া জানো তাছে। সেইদিনা কিহৰ জ্বালাত দগ্ধ হৈ সি টকা বিচাৰি ওলাইছিল—উদ্দেশ্য পাহৰি অতদিন মিছাই ৰূপৰ পূজা কৰিলে সি—ব্যৰ্থ হৈ গল তাৰ মানুহৰ জনমটো। তাৰ মনত পৰিল সেই প্ৰথম দিনা কেনেকৈ নিঃস্ব হৈ ওলাইছিল, কেনেকৈ কয়লাখনি আন্ধাৰ তলিত বুকুৰ তেজ টোপা টোপে দি টকা ঘটিলে তাৰ মনত পৰিল। কিহৰ কাৰণে—মলয়া? এতিয়া জানো গোটেই ভাণ্ডাৰ উজাৰ কৰি দিলেও সি মলয়াক পাব.....। ইমান হতভাগ্যনে সি সেই জন্মৰ দিনাৰেপৰা যেন কিবা এটা নিষ্ঠুৰ শক্তিয়ে তাক চুলিত ধৰি গোটেই জীৱন কেৱল নিষ্ফলতা হাহাকাৰ আৰু ভুলৰ মাজেদি চোচোৰাই নিলে। কৰবাত যেন তাৰ বিপক্ষে ভীষণ ষড়যন্ত্ৰৰ জুই জ্বলি তাক এফালৰপৰা ডেই পুৰি ধ্বংসৰ মুখত পেলাই দিলেহি।

ধনকে ঘটিলে সি বেচেৰাই—ধনেই টানি নিলে কয়লা খনিৰ গভীৰ তলিয়েদি মনুষ্যত্বহীনতাৰ, নিৰ্ম্মমতাৰ কাঁইটৰ মাজেদি। আজি জীৱনটোৰ ভাগি যোৱা ধ্বংসস্তূপটোৰ মাজত মাথোন তাৰ অস্তিত্বৰ ক্ষীণ কপনিটো সোমাই আছে। সি পাগলৰ দৰে আয়নাখনৰ ফালে চাই থাকি কলে "মলয়া—ৰবা—ৰবা মই টকা ঘটিলো বিৰাট বিভূতিৰ অধিপতি হৈ, তোমাৰ যোগ্যৰ হৈ তোমাৰ ওচৰলৈ গৈছো"। জৰাজীৰ্ণ তাৰ প্ৰতিবিম্বটোৱে অৱস্থাৰ হাহি মাৰি কলে, হায়ৰে মানুহ তোৰ যে যাবৰ দিন পাৰ হৈ গল। সি কান্দি পেলালে বহুত দিনৰ মূৰত আকৌ এবাৰ কান্দিলে।

চাকৰে আহি চাকি জ্বলাই থৈ গৈছিলহি। সি উঠি গৈ লোহাৰ পেৰাবোৰ মেলি চালে দম্ দম্ ৰূপ, নোট, চেক ভৰি আছে। কোনে খাব সেইবোৰ, কি কৰিব সেইবোৰ সি? প্ৰত্যেকটো টকাই যেন সি চিৰকালৰ হেৰুৱাই পেলোৱা দিনবোৰৰ একোটা চিন। তাৰ চকুত সেইবোৰ চপৰা দলি যেন লাগিল—সেইবোৰেই তাৰ জীৱনটো মাটি কৰি পেলালে।

তাৰ সমগ্ৰ টকা ডাঙৰ বেঙ্ক কেইটামানত জমা থলে। এক তাৰিখে কৰ্ম্মচাৰীবোৰক দুমাহৰ দৰমহা একেলগে দিলে। ফাৰ্ম্মৰ দায়িত্ব মেনেজাৰৰ ওপৰত দি সি আকৌ তাৰ চিৰ চেনেহী জনমভূমি অসম দেশলৈ ঘূৰিল।

জেপত লৈ আহিল এখন আয়না ভগা জীৱনৰ কদাকাৰ ছবিবোৰ তাৰ বুকুত জিলিকি উঠা চাবলৈ।

অসম দেশৰ সীমা সোমায়েই আনন্দত তাৰ প্ৰাণ উপচি পৰিল। আকৌ দেখা পালে তাৰ আইৰ মুখৰ সেউজীয়া শোভা। ৰেলৰ খিৰিকি এখনেদি মুখ উলিয়াই সি পথাৰবোৰ, গছ গছনিবোৰ দূৰৰ পাহাৰবোৰৰ ফালে চাই ভাবিলে সেইবোৰ যেন তাৰ নিজৰ বস্তু। যাৰে তাৰে আগত বুকু ফিন্দাই সি যেন কব এইবোৰ মোৰ অসমৰ বস্তু। গধূলিৰ এন্ধাৰে কলা ঢাকোন এখনেৰে সেই শোভা ঢাকি পেলালে। সি কোঠাটোৰ ভিতৰত মানুহবোৰৰ ফালে চাই দেখিলে চুক এটাত বহি জৰাজীৰ্ণ বুঢ়া এটাই অলসভাৱে টোপনিয়াইছে। হাহি ধেমালি কৰি যোৱা ডেকা লৰাকেইটাক যেন বুঢ়াৰ অসাৰতা স্থবিৰতাই বিদ্ৰূপ কৰি সোৱৰাই দিছে সিহঁতৰো ভাগ্যৰ সেই ভীষণ সত্যটোৰ কথা।

সি জেপৰপৰা আয়নাখন উলিয়াই তাৰ মুখখন চালে। তাৰো সেই অৱস্থাৰ গেলা খালটোত পিছলি পৰিবলৈ এখোজ বাকী। সি হুমুনিয়া এটা কাঢ়ি আৰ্ছিখন জেপত ভৰাই থলে।

* * * * * *

সি তাৰ দদায়েক খুৰীয়েকৰ ঘৰ পালেহি। এতিয়া আৰু সেই দদাইও নাই খুৰীও নাই। তেওঁলোকৰ লৰা ছোৱালী কেইটাইও তাক চিনি নাপালে। তাৰ ওচৰ চুবুৰীয়া মানুহবোৰৰ পদুলিৰ আগেদি অহা-যোৱা কৰিলে, কোনেও চিনি নাপালে। এটা বিৰাট পৰিৱৰ্ত্তন। তাৰ ভয় হল, শেহত তেনে তাৰ ভাই ককাই ওচৰ চুবুৰীয়া মানুহবোৰকো হেৰুৱাই পেলালেনেকি? তাৰ ওপজা ঠাইখনৰ অচিনাকিৰ বতাহ ছাটি তাৰ কাণৰ ওচৰতে সোঁ সোঁৱাই বৈ গল। কিন্তু সি অপেক্ষা কৰিব নোৱাৰিলে।

মাটিৰ তলত লুকাই থকা গছৰ গুটি এটাৰ দৰে তাৰ বুকুৰ মাজত মলয়াৰ প্ৰতি ভাল পোৱাটো তাৰ অজ্ঞাতসাৰে ধনৰ স্পৃহা কৰ্কশ কামৰ হেচা, জমা খৰচৰ হিছাব আৰু পাহৰণিৰ বোকাৰ তলত পৰি তেতিয়াও পুষ্ট হৈ আছিল। সাৰ পানী পাই অৱতৰীয়া গজি শুকাই যাবলৈ ওলোৱা পুলিটোৰ দৰে, অৱস্থাৰ পৰিৱৰ্ত্তনত জীৱনৰ বিয়লি বেলিকা তাৰ সেই টানটো বিৰাট ব্যৰ্থতাৰ মাজ পৰি আকৌ নাইকিয়া হবলৈ জাগি উঠিল। [illegible] অতীত জীৱনৰ চুক এটাত শিলৰ বুকুৰ দাগৰ দৰে গভীৰ দাগ এটা দি থৈছিল। অৱস্থা [illegible] পৰি মাৰ যোৱা দিনটো আকৌ [illegible] পথালি জিলিকাই পেলালে [illegible] ওলাল। ধন্য না[illegible] বুকুত দাগ [illegible] দাগ [illegible]

কিন্তু তাত গৈ সি যিহকে ভাবিছিল তাকে দেখিলেগৈ। তাতো সেই পৰিৱৰ্ত্তন। সেই মলয়াৰ দেউতাক আৰু এতিয়া হেডমাষ্টৰ নাই। বঙাল এজনে তেওঁৰ ঠাই লৈছে। হেডমাষ্টৰৰ কোৱাৰ্টাৰ আন ঠাইলৈ উঠি গৈছে। মলয়াইত আগেয়ে থকা এৰাবাৰীখনত আছে; গুটি নাইকিয়া গছ পাতৰ সো-সোৱনি। কাইটীয়া বন, জোপা, মেডেলুৱা ফুটুকা আদিৰে আবৰি থোৱা ঘৰৰ ভেটি কেইটা, যেন মলয়া আৰু সিহঁতৰ আটাইবোৰৰ এটা ভীষণ কবৰ তাৰ মাষ্টৰী জীৱনৰ সমাধি ভূমি। সি মানুহক সুধি পুছি জানিব পাৰিলে যে তেওঁ 'ৰিটায়াৰ্ড' হৈ নিজৰ ঘৰত আছে। সি আকৌ সেই সন্ধানত ওলাই পৰিল। সি মলয়াৰ দেউতাকৰ ওচৰ পালেগৈ। সেই আলৰ বুঢ়া মানুহটো সি পৰা হলে টকাৰ মাজতে তেওঁৰ শেষ সমাধি পাতিলে হেতেন। কিন্তু বুঢ়াৰ আৰু টকাৰ শুভ্ৰতা দেখিবলৈ দৃষ্টি নাছিল বা তাৰ টুংটাং শব্দ শুনিবলৈ কাণৰো শক্তি নাছিল। কিন্তু মলয়া ঘৰত নাছিল তাইৰ বিয়া কেতিয়াবাই হৈ গৈছে, শুনিলে সি, এতিয়া গিৰিয়েকৰ ঘৰত। এইবাৰ তাইকে সি মলয়াক বিচাৰি ওলাল। কিবা এটা নোপোৱাৰ ব্যৰ্থ প্ৰয়াসতে জীৱনটো টুকুৰা টুকুৰে ছিঙি শেষ কৰি যাব ধৰিলে।

...মলয়াৰ ঘৰ পালেগৈ। ঘৰবাৰী দেখিয়েই বুজিলে ডাঙৰ মানুহৰ ঘৰ। তাৰ মনত অলপ অহঙ্কাৰ হল—সি কিমান ডাঙৰ সেই ঘৰৰ গিৰিহতৰ তুলনাত। সি গৈ চৰা ঘৰতে বহিল, সৰু চাৰি পাছ বছৰ বয়সীয়া ধুনীয়া লৰা এটিয়ে তাতে উমলি আছিল। সি ভাবিলে মলয়াৰ লৰা, লৰাটোৰ হাতখনত ধৰি বুকুৰ মাজলৈ টানি আনি সুধিলে "মইনা দেউতাৰ আছেনে?" সি উত্তৰ দিয়ক ছাৰি সেই [illegible]ত মানুহটোৰ হাতৰ মাজৰপৰা এৰাই যাবলৈ [illegible]ৰি কান্দি পেলালে। মলয়াই তাৰ [illegible]ৰপৰা মাত দিলে "কি হৈছে [illegible] মানুহজন দেখিলে "আপুনি কৰপৰা আহিছে?" ইতিমধ্যে অৰুণে সেই অপৰিচিত মানুহটোৰ বাহুৰ মাজৰপৰা সুলকি গৈ মাকৰ ওচৰ পালেগৈ—মাকৰ ৰিহাৰ আচলত ধৰি কান্দি কান্দি সি সভয়ে তাৰ ঘোৰ নীলা চকুযোৰ সেই নবাগত নিষ্ঠুৰ মানুহটোৰ ওপৰত থৈ কলে "মা—বুআ—ধঈৰ।"

অৰুণে মলয়াৰ মুখখনলৈ অবাক হৈ চাই থাকিল। তাইৰো বহুত পৰিৱৰ্ত্তন হল কিন্তু তাইৰ সেই ৰূপ এতিয়াও তেনেই শেষ হৈ যোৱা নাই—এওিয়াও তাইৰ মুখত বহুত কোমলতা বহুত কমনীয়তা বহুত সৰলতা আছে। এতিয়াও তাইৰ চকুৰ যৌৱনৰ আৱেশভৰা চাৱনিৰ ৰেশবোৰ মোছ খোৱা নাই। কেৱলমাত্ৰ তাইৰ গোটেই দেহত কোনোবা এটা ভাগ্যৱানক সুখী কৰিবলৈ নিজক বিলাই দিয়াৰ কিছুমান ঢাকিব নোৱাৰা চিন। সি কিছুপৰ তাইৰ মুখলৈ চাই থাকি মাতিলে—মলয়া!

তাৰ মুখত তাইৰ নামটো শুনি মলয়া অবাক হল—মাতটো যেন কেতিয়াবা শুনা শুনা। তাই অলপ ওচৰলৈ চাপি আহি তীব্ৰ দৃষ্টিৰে তাৰ মুখৰ ফালে চাই কলে "মই আপোনাক চিনি পোৱা নাই।"

সি ভগা মাতেৰে কলে "মলয়া মই তোমাৰ সেই তাহানিখনৰ অৰুণ মামা।"

চাঁৎ কৰে তাইৰ মনত পৰিল সেই তাহানিখনৰ ডেকা মাষ্টৰ অৰুণৰ চেহেৰাটোলৈ। তেনেই পৰিৱৰ্ত্তন হলেও স্মৃতিৰ অস্পষ্ট চেহেৰাটোৰ লগত তাৰ সাদৃশ্যখিনি ধৰিব পাৰিলে। তাই তাৰ চকীখনৰ ওচৰলৈ লৰি আহি তাৰ মুখৰ ওচৰতে মুখখন থৈ কলে "অৰুণ মামা—তুমি—তুমি—তোমাৰ এই অৱস্থা।"...

কোটৰপৰা আহি হাকিমে শুনিলে মলয়াৰ মামাক, লাখপতি অৰুণ, তাৰ ঘৰত আজি আলহী।...

গধূলি আটাইবোৰে বহি কথা পাতিছে। মলয়াৰ গিৰিয়েকে সৰুলৰাটো কোলাত লৈ অৰুণক কলে "চকচোন মলয়াই তেওঁৰ লৰাটোৰ নাম আপোনাৰ নামটোকে দিলে।" সি মলয়াৰ ফালে চাই দেখে তাই নুশুনাৰ ভাও ধৰি তললৈ মূৰ কৰিছে।...

মাৰাঠা বুৰঞ্জীৰ নৈতিক বিশিষ্টতা

— শ্ৰীযুত গিৰীশ চৌধুৰী বি-এল

সোতৰ শ শতাব্দীৰ আদি ছোৱাতে এটা বিৰাট হিন্দুশক্তিৰ উত্থানত ভাৰতৰ ৰাষ্ট্ৰনৈতিক মানচিত্ৰৰ আমূল পৰিৱৰ্ত্তন হয়। যি অপ্ৰতিদ্বন্দী মোগল বংশই প্ৰায় দু শ বছৰ জুৰি আফগানিস্থানৰপৰা বঙ্গদেশলৈকে আৰু হিমালয়ৰপৰা নৰ্ম্মদালৈকে সাম্ৰাজ্য বিস্তাৰ কৰি একছত্ৰী হৈ ৰাজত্ব কৰিছিল এই নতুন হিন্দুশক্তিৰ সঙ্ঘৰ্ষত সি চূৰ্ণ বিচূৰ্ণ হৈ, তাৰ ঠাই ললে, এই সঙ্ঘৰ্ষণকাৰী হিন্দুশক্তিয়ে নহয়, সচতুৰ সঙ্ঘবদ্ধ ইংৰাজ শক্তিয়ে যি ১৬১২ খৃষ্টাব্দত ভাৰতৰ পশ্চিম উপকূলৰ চুৰাট বন্দৰত এটা সামান্য কুঠি সাজি বেপাৰ কৰিবলৈ আহিছিল মাত্ৰ। ভাগ্য বিপৰ্য্যয়ত পৰাজিত এই হিন্দুশক্তিৰ উদ্বোধনকাৰী বীৰ শিৱাজীৰ জন্ম হয় ১৬২৭ খৃষ্টাব্দত। কোনে ভাবিব পাৰিছিল সামান্য কুঠিৱালাই এদিন ভাৰতত সুবিশাল সাম্ৰাজ্য স্থাপন কৰিব! কোনে ভাবিব পাৰিছিল সাধাৰণ জায়গীৰদাৰৰ বংশধৰ এজনে দুৰ্জ্জয় মোগলৰ শ্ৰেষ্ঠতম শক্তিক সংহৰণ কৰি বিজাপুৰ গোলকুণ্ডক আঠু লোৱাই এনে জাতিৰ প্ৰৱৰ্ত্তন কৰিব, যি হৰিদ্বাৰৰপৰা ৰামেশ্বৰ আৰু দ্বাৰকাৰপৰা জগন্নাথলৈকে সয়ম্ভূ হৈ আদেশ বাণী শুনাব?

মহাৰাষ্ট্ৰৰ স্বাধীনতাৰ বিধাতা শিৱাজীয়ে বুজিছিল যে শতাব্দী জুৰি উৎপীড়ণৰ ফলত মহাৰাষ্ট্ৰৰ 'দেশ' অঞ্চলত তাৰ বিজাণু নাইকিয়া হৈছিল যদিও কঙ্কন আৰু মাৱালৰ পৰ্ব্বতৰাজিৰ মাজত সি অমৰণ। দাদাজী কোন্দদেৱৰ বাঞ্ছিত বিজাপুৰৰ সম্ভ্ৰান্ত পদ লবলৈ, নাইবা ঔৰংজেবৰ মন্ত্ৰণানুযায়ী দিল্লী সম্ৰাটৰ অধিনত অন্যতম মানসিংহ কিম্বা যশোৱন্ত সিংহ হৈ যশ বোলাবলৈ মন নকৰি, তেওঁ পাৰ্য্যমানে আত্মশক্তি নিয়োগ কৰি স্বজাতি স্বধৰ্ম্মক উচ্চতম শিখৰত তুলিবলৈ প্ৰাণ পণ কৰিলে। তেওঁ ভালদৰে বুজিছিল, নিঃসহায় নিঃসম্বল অৱস্থাত তেওঁ সৈন্যবাহিনী গঠন কৰিব লাগিব, সেই সৈন্যবাহিনীক নিজ উচ্চ আদৰ্শ আৰু সৎ উৎসাহেৰে অনুপ্ৰাণীত কৰি তেজোময় কৰি তুলিব লাগিব, ৰাজদ্ৰোহীতাৰ অপৰাধত অভিযুক্ত হব, হয়তো, সকলো আশা ভৰসা লোপ হোৱাৰ পিছত শেষত দেখিব যে, তেওঁৰ বংশ পৰিয়ালৰ তেজেৰে বিধৰ্ম্মীৰ খড়্গ ৰঞ্জিত হৈছে আৰু নিজে অভাৱনীয় অমানুষিক নিষ্ঠুৰতাৰ আগত মূৰ পাতি দিছে; তথাপি কিন্তু এই হিন্দুবীৰে যশ-মান সুখ-সম্ভোগলৈ পিঠি দি দেখিলে, একমাত্ৰ আদৰ্শ স্বাধীনতাই তেওঁৰ চকুৰ আগত জলমলাই উঠিছে। মহাৰাষ্ট্ৰ ধৰ্ম্ম, জাতীয় শক্তি, নিজ প্ৰতিভা আৰু পিতৃ মাতৃৰ উজ্জ্বল আদৰ্শৰ প্ৰভাৱত শিৱাজীয়ে অভিষ্ট লাভ কৰিলে। অগ্নিময় শক্তিৰ সংযোগত লুপ্তপ্ৰায় স্বাধীনতাৰ জেউতিয়ে দিক্‌দিগন্ত উজ্জলাই তুলিলে।

সুনিয়ন্ত্ৰিত শাসন-পদ্ধতিৰ প্ৰতিষ্ঠা কৰি, নানা ভাগ্য বিপৰ্য্যয়ৰ সীমা অতিক্ৰম কৰিও, প্ৰায় ডেৰ শ বছৰ কাল মাৰাঠা জাতি যে ভাৰতৰ ভাগ্য নিয়ন্তা হব পাৰিছিল তাৰ নৈতিক তাৎপৰ্য্য এই যে, ঐক্য আৰু সুসংগঠনৰ বাহিৰেও, প্ৰজাৰ শুভ ইচ্ছা আৰু সহানুভূতিৰ ওপৰত মহাৰাষ্ট্ৰ স্বৰাজ প্ৰতিষ্ঠিত হৈছিল। আগৰ কথা এৰিও, সোতৰ শতাব্দীত আত্মপ্ৰসাদ লাভ কৰিবলৈ দেশীয় শক্তিবোৰে নিজ স্বাৰ্থৰ পৰিধিত হে ঘূৰিছিল। ভাৰতৰ জাতীয় শক্তিৰ, নাইবা যি কোনো এটা শক্তিৰে, জাতীয়তাৰ উৎকৰ্ষ সাধন কৰিবলৈ সমবেত চেষ্টা নহৈছিল। সম্ৰাট ঔৰংজেবে ভাবিছিল, যি কোনো উপায়ে কেৱল মোগলৰ মৰ্য্যাদা বঢ়াবলৈকেহে; ৰাজপুতে ভাবিছিল, পাৰিলে ৰাজপুতনাত নিজ বংশ গৰিমা

অটুত ৰাখি নিজ আত্মম্ভৰিতাৰ সন্মান বঢ়াবলৈকেহে। সেইদৰে মহীশূৰত হায়দৰ আলি নাইবা টিপু চুলতান, হায়দৰাবাদত নিজাম উল্ মুল্ক, আউদত ছিৰাজউদ্দৌলা, বঙ্গদেশত আলিবৰ্দ্দিখা, ভাৰতপুৰত ছুৰাজমল, পঞ্জাবত ৰণজিৎ সিং আদিয়ে যি সৌৰ্য্যশক্তি আহৰণ কৰিছিল, তাক যুগমীয়া কৰিবলৈ প্ৰজাৰ কোনো আগ্ৰহ নাছিল, নাইবা নায়ক সকলেও প্ৰজাৰ সহানুভূতি আকৰ্ষণ কৰিবলৈ যত্নৱান নহৈছিল। মুঠতে সাম্ৰাজ্যবাদ নাইবা আন কোনো বিধৰ প্ৰভুত্বব্যঞ্জক শাসন নীতিয়েই প্ৰচলিত-পদ্ধতি আছিল।

কেন্দ্ৰীয় শক্তি ক্ষীণোৱাৰ লগে লগে এই ৰাজ্য-সাম্ৰাজ্যবোৰ লুপ্ত হৈ গৈছে; সেইবোৰৰপৰা জাতীয়তা গঠনৰ বিশেষ উপাদান পোৱা নাযায়। এই শক্তিবোৰৰ যদি কিবা নৈতিক তাৎপৰ্য্য আছে সি সাৰ্ব্বজনীন নহয়, কিয়নো তাৰ স্থায়িত্বৰ লগত প্ৰজাৰ ভাল বেয়াৰ সম্পৰ্ক তিমান নাছিল। থাকিলেও কেন্দ্ৰীয় শক্তিৰ তীব্ৰতাৰ আগত সি তেনেই মুহ্যমান হৈ আছিল। প্ৰজাৰ সদিচ্ছা নাইবা সহানুভূতিৰ ওপৰত সি নিৰ্ভৰ নকৰিছিল যেতিয়া প্ৰজাৰ মনত সি জাতীয় ভাবৰ উদ্ৰেক কৰিব নোৱাৰিছিল।

কিন্তু, মাৰাঠা শক্তিৰ প্ৰৱৰ্ত্তক শিৱাজী মহাৰাজে নিজক কেন্দ্ৰ কৰি, নিজৰ অভিৰুচি অনুযায়ী নিজৰ সুখ সম্পদৰ কাৰণে ৰাজ্য শাসন কৰিব বুলি, নাইবা নিজক সুপ্ৰখ্যাত বোলাবৰ অভিলাষী হৈ কোনোৰূপ প্ৰভুত্ব ব্যঞ্জক শাসন নীতি অবলম্বন কৰা নাছিল। আন কি তেওঁ যি ৰাজপাট লৈছিল সি ৰাষ্ট্ৰিয় নীতিৰ স্বাপক্ষেহে। কিয়নো "Without such a religious confirmation of his power, both Indian princes and foreigners might continue to reckon him as an exalted polygor and confound his systematic war programme with the random depredations of a freebooting chief. It was necessary to rally the Maratha nobles still serving the Mahommedan monarchies in the south or carrying on independent wars and marauding excursions on their own account. It was necessary to teach them that the new power that had sprung up in their midst was based on broader and deeper foundations and not on isolated effort for dynastic aggrandisement. It was necessary to unfurl the standard of Maratha unity, freedom and self government, rally their wavering spirits, and unite their wayward forces under the aegis of a Maratha monarchy—Takakhav. তেওঁৰ পূৰ্ণ উদ্দেশ্য আছিল গোটেই মহাৰাষ্ট্ৰত জাতীয় ভাব জগাই তোলা আৰু জাতীয় শক্তিৰ বলেৰে জাতীয় ধৰ্ম্ম, কৃষ্টি ৰক্ষা কৰি মহাৰাষ্ট্ৰৰ স্বাধীনতা অক্ষুণ্ণ ৰখা আৰু লগে লগে আত্ম বিস্মৃত হিন্দু জাতিক সকলো বিষয়তে হৃত গৌৰৱৰ পূৰ্ব্বাভাস দেখুৱাই জাতিৰ চিন্তাৰ ধাৰা সকলো বিষয়তে দেশ প্ৰাণতালৈ ওভতাই লবলৈ নিজৰ অতুল শক্তি অকপটে আৰু অজস্ৰভাৱে ঢালি দিয়া।

বিজাপুৰ আৰু অন্যান্য শক্তিৰ বাহিৰেও শিৱাজীৰ এই মহান উদ্দেশ্যত আদিৰেপৰা অন্তলৈকে বিৰাট মোগল শক্তিয়ে ভেটা দিলে। ছায়েস্তাখাঁৰ আঙুলি কাটি নিলে, চুৰাট বাৰ্ছেলোৰ লুট কৰিলে—"পৰ্ব্বতীয়া নিগনিক" ধৰিবলৈ সম্ৰাট ঔৰংজেবৰ সকলো প্ৰয়াস নিষ্ফল হল। শেষত, কুট নীতি অবলম্বন কৰি মিৰ্জ্জা ৰাজা জয়সিংহৰ আত্ম মৰ্য্যাদাৰ বিনিময়ত আগ্ৰাত শিৱাজীক কাৰাৰুদ্ধ কৰিলে। ঘোৰ বিপদগ্ৰস্ত নেতাৰ অনুপস্থিতিত মাৰাঠা ৰাজকৰ্ম্মচাৰীসকলে অতি সুচাৰুৰূপে ৰাজকাৰ্য্য চলালে। মাৰাঠাৰ জাতীয় শক্তিৰ পৰিচায়ক এয়ে প্ৰথম সন্ধি স্থল।

ইমানলৈকে মোগল সম্ৰাটে ভাবিছিল, এইবোৰ "দস্যু" শিৱাজীৰ ক্ষণিক উন্মাদনাৰ বিস্ফোৰণ। কিন্তু যিদিনা মহাৰাজ শিৱাজীয়ে ৰাজপাটত বহাৰ লগে লগে মহাৰাষ্ট্ৰৰ এমূৰৰপৰা আন মূৰলৈ প্ৰতি দুৰ্গতে মহাৰাষ্ট্ৰৰ স্বাধীনতা

ঘোষণা কৰি কামান গৰ্জ্জি উঠিল, বিদেশী শক্তিবোৰৰ ভিতৰত প্ৰবল ইংৰাজ শক্তিৰ প্ৰতিনিধি আক্সিন্ ডেন্ ছাহাবে হিৰাৰ আঙঠি উপঢৌকন দি মহাৰাজ শিৱাজীৰ আগত আঠু ললে, সিদিনা ১৬৭৪ খৃষ্টাব্দৰ ৬ জুন তাৰিখে সম্ৰাট ঔৰংজেবৰ বুজিবৰ আৰু বাকী নাথাকিল যে, এই নব প্ৰতিষ্ঠিত মাৰাঠা শক্তিয়ে মোগলৰ পক্ষে কাল হৈ উঠিল। সেয়েহে আনকি ঔৰংজেবেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল " He was a great captain and the only one who has had the magnanimity to raise a new kingdom while I have been endeavouring to destroy the ancient sovereignties of India. My armies have been employed against him for nineteen years, and never the less his state has been always increasing." Orme.

মাৰাঠাৰ পূৰ্ণ শক্তি জাগৰণৰ পিছত স্বাধীনতাকামী শিৱাজী মহাৰাজৰ পৰলোক হল। তেওঁৰ অনুপযুক্ত পুত্ৰ সম্ভাজীয়ে বলেৰে তেওঁৰ ৰাজপাট কাঢ়ি ললে। শিৱাজী মহাৰাজৰ সুনিয়ন্ত্ৰিত অষ্ট প্ৰধান-শাসন প্ৰণালীত বেমেজালি ঘটিল। অষ্ট প্ৰধানৰ ভিতৰত অৰিয়াঅৰি ভাবৰ সৃষ্টি হল। সামৰিক শক্তিয়ে সম্ভাজীৰ পক্ষ ললে যদিও কুপথগামী কালুসাৰ মতাৱলম্বী সম্ভাজীৰ অচিৰাৎ পতন হল। ইমান দিনে সম্ৰাট ঔৰংজেবে এই সুযোগকে অপেক্ষা কৰিছিল। সম্ৰাটে বিৰাট মোগল বাহিনী সাজি লৈ দক্ষিণ ভাৰত তেনেই গ্ৰাস কৰিবৰ অভিপ্ৰায়ে উত্তৰ ভাৰতৰপৰা নিজে যাত্ৰা কৰিলে। ধুমুহাৰ দৰে এমূৰৰ পৰা আন মূৰলৈ মহাৰাষ্ট্ৰ উজাৰ কৰিলে। সম্ভাজীক বন্দী কৰি নি অমানুষিক নিষ্ঠুৰতাৰে হত্যা কৰালে। বিজয়গৰ্ব্বত মতলীয়া সম্ৰাটৰ দৃঢ় বিশ্বাস জন্মিল, মাৰাঠা শক্তিক সমূলে নিৰ্ম্মূল কৰিলে। কিন্তু দুৰ্ভগীয়া সম্ৰাটে বুজিব নোৱাৰিলে যে তেওঁৰ পক্ষে সেই জয় জয় নহয় সি জালহে। মাৰাঠাৰ জাতীয় শক্তিৰ পৰিচায়ক এয়ে দ্বিতীয় সন্ধিস্থল।

শিৱাজীৰ ২য় পুত্ৰ ৰাজাৰামে কৰ্ণাটৰ সুদূৰ জিঞ্জি দুৰ্গলৈ পলাই গৈ, তাতে মাৰাঠাৰ পূৰ্ণ স্বাধীনতা ঘোষণা কৰিলে। অজেয় মাৰাঠাই ৰাজাৰামৰ পতাকৰ তলত থিয় হৈ পণ কৰিলে, মোগলৰ হাতৰপৰা হৃত সৰ্ব্বস্ব উদ্ধাৰ কৰিবই। প্ৰায় কুৰি বছৰ কাল এই স্বাধীনতাৰ যুদ্ধ (War of independence) চলিল। দুৰ্দ্দিনত মাৰাঠাৰ অদম্য উৎসাহ দুগুণে বাঢ়িল। "These very misfortunes served to rouse a band of patriots who had been trained in Sivaji's school, to resolve—resourceless and penniless as they were—to secure their national independence and drive Aurengzeb's grand army back to Hindustan." Elphinstone. অশেষ ক্লেশ কষ্টৰ মাজেদি জাতীয় ভাবত আপ্লুত এই বীৰ সকলে মোগলৰ হাতৰপৰা আকৌ হৃত ৰাজ্য কাঢ়ি ললে। মোগলৰ ঘৃণাৰ পাত্ৰ মাৰাঠা এতিয়া ভয় আৰু ভক্তিৰ পাত্ৰ হৈ উঠিল। ২৪ বছৰ কাল অকল দক্ষিণ ভাৰততে কটোৱাৰ পিছত মোগল সাম্ৰাজ্যৰ সন্ধ্যাৰ লগে লগে ১৭০৭ খৃষ্টাব্দত আহমদ নগৰত জৰাজীৰ্ণ ৰণক্লান্ত সম্ৰাটৰ মৃত্যু হল।..."and it was not without reason that when Aurengzeb came to die at Ahmednagar, he confessed that his life was a failure ; and the poor emperor died a broken hearted, penitent, weighed down with the wreck of all his hopes and ambitions."—Ranade.

সম্ৰাট ঔৰংজেবৰ অভিযানে মাৰাঠাৰ একতাৰ বান্ধ কটকটীয়া কৰি তুলিলে। নিজ নিজ স্বাৰ্থ আৰু লোভৰ বশীভূত নহৈ উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ অৰ্থে নেতাসকল দেহে কেহে লাগিল। স্বৰাজ, স্বধৰ্ম্মৰ বাবে মাৰাঠাই জাতীয় ঐক্যৰ আৰু সুশৃঙ্খলতাৰ যি অলপ অভাৱ হৈছিল—ঔৰংজেবৰ অভিযানে সেই অভাৱ পূৰণ কৰিলে। "If Aurengzeb had not invaded the Deccan and forced on this war, it is just possible that a small principality might have been established in western Maharastra like that at Tanjore and the Mogul Emperor might have succeded in counting upon its chief as

one of his great nobles, and the formation of the Maratha Nation would have been an impossibility."—Ranade. উচ্চাভিলাষী ঔৰংজেবৰ অদম্য লোভেই মাৰাঠাৰ ক্ষীণ শক্তি জাগৰণৰ অন্যতম প্ৰধান কাৰণ।

শিৱাজী মহাৰাজৰ মৃত্যুৰ পিছত ক্ষমতা আৰু ৰাজপাটৰ বাবে অৰিয়াঅৰি হোৱাৰ লগে লগে কেন্দ্ৰীয় শাসন শক্তিও ক্ষীণ হৈ আহিছিল। ফলত মাৰাঠাৰ সুসংগঠিত ঐক্যৰ ঠাইত ভিন ভাব (Separatist tendency) দেখা দিলে যদিও, মোগল শক্তি হ্ৰাস হোৱাৰ লগে লগে, মাৰাঠা শক্তি পুনৰ সঞ্জীৱিত হৈ উঠিল। শিৱাজী মহাৰাজে স্বাৱলম্বন আৰু স্বদেশ হিতৈষীতাৰ যি অক্ষয় স্তম্ভ সাজিছিল তাৰ ওপৰত ৰাজাৰাম আৰু পেশোৱা বালাজী বিশ্বনাথৰ তত্ত্বাৱধানত আকৌ মাৰাঠা ৰাজ্য সুপ্ৰতিষ্ঠিত হল।

এই স্তৰত শিৱাজী মহাৰাজৰ ৰাষ্ট্ৰসংগঠন নীতিৰ পৰিৱৰ্তন ঘটিল। প্ৰধান সকলৰ ভিন ভাবে (Separatist tendency) জনসাধাৰণৰ ঐক্য ভাবৰ বিশেষ পৰিৱৰ্তন কৰিব পৰা নাহিল যদিও, মাৰাঠা সৰ্দাৰসকলৰ ভিতৰত মুখ্যকলে নিজ বাহু বলেৰে ঠাৱে ঠাৱে প্ৰতিষ্ঠাৰ আয়োজন কৰিলে। নানা কাৰণত অষ্ট প্ৰধানৰ শাসন অপ্ৰচলন হৈ পৰিছিল। পেশোৱা বালাজী বিশ্বনাথে ভালদৰে বুজিলে যে শিৱাজী মহাৰাজৰ প্ৰতিষ্ঠিত অষ্ট প্ৰধান শাসন প্ৰণালী চলাবৰ, কিম্বা সেই যুদ্ধকামী ছৰ্দাৰসকলৰ হাতত্বপৰা তেওঁলোকৰ অধিকাৰ বলেৰে কাঢ়ি লোৱাৰ প্ৰচেষ্টা বিফল হবৰ সম্পূৰ্ণ সম্ভাবনা। মহাৰাষ্ট্ৰৰ উন্নতি কল্পে ঐক্য সাধন কৰিবলৈ বিৰোধী ছৰ্দাৰবোৰক বলেৰে শিৱাজী মহাৰাজে বশ কৰিছিল। কিন্তু সাহু মহাৰাজৰ দিনত সেই নীতি অকাৰ্য্যকৰী হল; দূৰদৰ্শী বালাজী বিশ্বনাথে বুজিলে, "What was needed was organisation, a farseeing patriotism, the skill to temporise and establish an accord in the jarring elements of strife and a determinatiou to turn them to account, not for private purposes of self-aggrandisement, but for carrying out into effect the traditions which the great Shivaji had fifty years before left behind as legacy to his people"—Ranade. গতিকে বীৰ সকলক নিজ নিজ মৰ্য্যাদা অটুট ৰাখি মাৰাঠা ৰাজাৰ মঙ্গলৰ অৰ্থে একাগ্ৰচিত্তে সহযোগী হবলৈ তেওঁ আবেদন জনালে। পেশোৱাৰ এই নীতি বৰ সময়োপযোগী আৰু কাৰ্য্যকৰী হল। আবেদন সকলোৱে সাদৰে সমৰ্থন কৰিলে। ৰঙ্কাৰ সকলো সমানৰ পাত্ৰ পাতিলে আৰু পেশোৱাৰ হাতত সকলো ক্ষমতা অৰ্পণ কৰি, তেওঁৰ মতৰ স্বপক্ষে সকলোৱে সহযোগী হব বুলি প্ৰতিশ্ৰুতি দিলে। এইদৰে মাৰাঠা Confederacy (যুক্তৰাজ্য) গঠন হৈ উঠিল। এই নীতি অবলম্বন কৰি ১৭৬১ খৃষ্টাব্দত পানীপতৰ ৰণলৈকে পেশোৱাৰ অধীনত মাৰাঠা শক্তিয়ে শ্ৰেষ্ঠতম স্তৰ পাইছিল। "Maratha power was at this time at its zenith. Their frontier extended to the north of the Indus and Himalaya and on the south nearly to the extremity of the Peninsula ; all the territory within those limits that was not their own paid tribute"—Elphinstone.

মাৰাঠাই দিল্লী অধিকাৰ কৰিলে। উত্তৰ ভাৰতৰ মুছলমান শক্তি তেনেই জুকুৱা হল। সৈন্যাধ্যক্ষ সদাশিৱ ৰাও ভাৰে সংকল্প কৰিলে, পেশোৱাৰ পুত্ৰ বিশ্বাস ৰাওক সম্ৰাট স্বকণে দিল্লী সিংহাসনত বহুৱাই হিমাদ্ৰি শিখৰত মাৰাঠাৰ বিজয় বৈজয়ন্তী উৰাব। কিন্তু ভাগ্যত অন্যাধিক আৰু বিশ্বাসৰ কাৰণেই হ'ক, নাইবা তেওঁৰ আত্মম্ভৰিতাৰ কাৰণেই হ'ক, নাইবা সময় কুশলতাৰ অভাৱতেই হ'ক, পানীপতৰ ৰণত মাৰাঠাৰ সৰ্ব্ব গৰ্ব্ব খৰ্ব্ব হল। মাৰাঠাই দক্ষিণ ভাৰতলৈ পিছ হুহকিলে। এয়ে মাৰাঠাৰ জাতীয় শক্তিৰ পৰিচায়ক তৃতীয় সন্ধি স্থল। কিন্তু বালাজী বিশ্বনাথে যি Confederated State গঠন কৰিছিল তাৰ পৰস্পৰ সহযোগ আৰু সহানুভূতিৰ বাবে মাৰাঠা আকৌ শক্তিমন্ত হৈ উঠিল।

সাহু মহাৰাজৰ মৃত্যুৰ পিছত পেশোৱা পদৰ বাবে ঘোৰ আত্ম বিৰোধৰ সৃষ্টি হল। ইয়াৰ ফলত ১৭৭১ খৃষ্টাব্দত নাৰায়ণজী পেশোৱাক হত্যা কৰিলে। মাৰাঠা ইতিহাসত এয়ে মাত্ৰ ৰাষ্ট্ৰীয় হত্যা। নাৰায়ণজী পেশোৱাৰ হত্যা কাণ্ডই মাৰাঠাৰ জাতীয় শক্তিৰ পৰিচায়ক চতুৰ্থ সন্ধি স্থল। ইমানতো মাৰাঠাৰ জাতীয় শক্তিৰ ক্ষয় হোৱা নাছিল। আত্ম প্ৰতিষ্ঠাৰ গুণত ডেৰ শ বছৰ কাল ভাৰতৰ হিন্দুশক্তিৰ পৰিচয় দিছিল। শেষত, গাইকোৱাৰ সিন্ধিয়া, হোলকাৰ আদি মাৰাঠাৰ প্ৰধান শক্তিবোৰে নেতৃত্বত মহাৰাষ্ট্ৰৰ স্বাধীনতা ৰক্ষা কৰিবলৈ গঠন কৰা Confederated state অৰ মুখ্য আদৰ্শ উমৈহতীয়া স্বাৰ্থ-বলি দি, নিজ নিজ স্বাৰ্থ সংৰক্ষণৰ বাবেহে যত্নৱান হল।

এনেতে ১৭৯৯ খৃষ্টাব্দত মাৰ্কুইছ্ অৱ ৱেলেছলিয়ে ইংৰাজৰ কূট ৰাজনীতি ঘোষণা কৰিলে "We will undertake to protect your country from foreign invasion, we will keep a resident at your capital and a body of soldiers ; let us have either money or territory to meet the cost of maintaining the soldiers, if you wish to discipline your troops we will do that for you, but no European should be allowed to enter your service without our permission." এটা বিদেশী প্ৰবল শক্তিৰ এই আহ্বানত দেশীয় শক্তিবোৰৰ পৰস্পৰৰ সহযোগৰ বাঢ়োন ঢিলা হৈ পৰিল। আত্ম বিৰোধৰ ফলত পৰস্পৰৰ ওপৰত প্ৰতিশোধ লবলৈ নিজ ৰাজ্য বিনিময়ত মাৰাঠাই বিদেশী শক্তিৰ আশ্ৰয় গ্ৰহণ কৰিলে। এইদৰে পেশোৱা আৰু অন্যান্য মুখিয়াল সকলৰ লাহে লাহে দেশাত্ম বোধ কমিল, আৰু পৰস্পৰ বিদ্বেষৰ গুটি যেতিয়া তেওঁলোকৰ মাজত সিচি দিয়া হল, তেতিয়া পেশোৱা বালাজী বিশ্বনাথৰ পৰিকল্পিত ৰাষ্ট্ৰীয় আদৰ্শ—"To serve a common state for common good"—লোপ পালে।

"The English rulers knew this weakness and took advantage of it by appealing to the selfish vanity of each member of the confederacy separately and this loosened its joint force"—Ranade. Subsidiary Alliance অত যোগ দিবলৈ ইংৰাজে পেশোৱাক আহ্বান কৰিলে। কিন্তু সুবিখ্যাত ৰাষ্ট্ৰনীতিক নানা ফাৰ্ণাভিছৰ উপদেশানুসৰি পেশোৱাই ইংৰাজৰ আহ্বান প্ৰত্যাখ্যান কৰিলে। ১৮০০ খৃষ্টাব্দত নানা ফাৰ্ণাভিছৰ মৃত্যুৰ লগে লগে পেশোৱা, সিন্ধিয়া আৰু গাইকোৱাৰ এই তিনি শক্তিৰ ভিতৰত ভীষণ অশান্তিৰ সৃষ্টি হল। ফলত, ১৮০২ খৃষ্টাব্দত বেছিন সন্ধিত পেশোৱাই Subsidiary Alliance অত যোগ দি ইংৰাজৰ আশ্ৰয় ললে যদিও, শেষত ১৮১৭ খৃষ্টাব্দত ইংৰাজে পেশোৱাৰ লগত নতুন সন্ধি কৰি যেতিয়া তেওঁৰ সকলো ক্ষমতা কাঢ়ি ললে, তেতিয়া ক্ষোভ আৰু অপমানত পেশোৱাই ইংৰাজৰ আশ্ৰয় ত্যাগ কৰিবলৈ সংকল্প কৰিলে। অকো মাৰাঠা শক্তি সংগঠন কৰি স্বাধীনতাৰ বাট মোকোলাবলৈ গোপনে পেশোৱাই মাৰাঠা Confederacy-ৰ আন আন শক্তিবোৰক উত্তেজিত কৰিলে। সিন্ধিয়া আৰু হোলকাৰে পেশোৱাৰ পক্ষ সমৰ্থন কৰি ইংৰাজৰ লগত ৰণ দিলে। ১৮১৭ খৃষ্টাব্দত মেহিদপুৰ ৰণত মাৰাঠা পৰাস্ত হয়। পেশোৱাৰ লগত সন্ধি সূত্ৰে তেওঁৰ পদ ৰক্ষা কৰিবলৈ ইংৰাজে অস্বীকাৰ কৰিলে। শেষত, বাধ্য হৈ পেশোৱাই 'পেন্সন' মাত্ৰ লৈ গঙ্গাৰ পাৰত বিষ্ণুৰ বশিষ্টাশ্ৰমত জীৱনৰ বাকী দিন নিয়ালে। এইদৰে মাৰাঠাৰ শ্ৰেষ্ঠতম ফৈদৰ অন্ত হোৱাৰ লগে লগে মহাৰাষ্ট্ৰৰ স্বাধীনতা ওৰ পৰিল।

বৈজ্ঞানিক জগত

সূৰ্য্যৰ ৰশ্মিৰে চলা মটৰ গাৰী

সকলোৱে জানে যে মটৰ গাৰী সদায় পেট্ৰলৰ সহায়ত চলে। কিন্তু আজিকালি বিজ্ঞানৰ যুগত সূৰ্য্যৰ ৰশ্মিৰ সহায়েৰেও মানুহে মটৰ চলাবলৈ সক্ষম হৈছে। মটৰৰ ইঞ্জিনত এনেকুৱা কিছুমান বিন্ধা সজা হৈছে যে এই



সূৰ্য্যৰ ৰশ্মিৰ সহায়ত চলা মটৰ গাৰী

বিন্ধাবিলাকেদি সূৰ্য্যৰ পোহৰ সোমালে ইহঁত কপি উঠে আৰু ইয়াৰ দ্বাৰা গতি সৃষ্টি হৈ মটৰ চলিবলৈ ধৰে।

ভৰিৰে 'পেডেল' মাৰি চলোৱা আকাশীযান

অলপ দিনৰ আগতে জাৰ্ম্মেনিৰ ফ্ৰাঙ্কফৰ্টত হাৰ ডুনবেইল নামে এজন জাৰ্ম্মেন বৈমানিকে ছাইকল চলোৱা দি ভৰিৰে পেডেল মাৰি এখন আকাশীযান যথাক্ৰমে ২১৩, ২৫৭, ২২৫ আৰু ২৪২ গজ ওপৰলৈ চলাই নিছিল। যিজন বৈমানিকে ভৰিৰে এইদৰে ৫৪৭ গজ ওপৰলৈ উৰা-জাহাজ চলাই প্ৰথম হব পাৰিব তেওঁক ফ্ৰাঙ্কফৰ্ট পলিটেকনিক ছোছাইটিয়ে ৫,০০০ জাৰ্ম্মেন মুদ্ৰা (মাৰ্কছ)



ভৰিৰে চলোৱা আকাশীযান

পুৰস্কাৰ দিবলৈ ঘোষণা কৰিছিল। এতিয়া উক্ত সভাই হাৰ ডুনবেইলক আৰু উক্ত উৰাজাহাজ নিৰ্ম্মাণকাৰীক "সান্ত্বনা পুৰস্কাৰ" হিচাপে ৩,০০০ মুদ্ৰা বঁটা দিছে।

সাগৰৰ তলৰ পোৱাল আৰু তাৰ ফটোগ্ৰাফ



পানীত বুৰিওৱা যন্ত্ৰ। বুৰ মৰাৰ আগতে মুদত পিন্ধিবলৈ ধৰিছে

সাগৰৰ তলত যিবিলাক প্ৰৱাল দ্বীপ গঠিত হয় বৈজ্ঞানিক যন্ত্ৰৰ সহায়েৰে সেইবিলাকৰ নমুনা সংগ্ৰহ কৰিবলৈ বহুত দিনৰেপৰা চেষ্টা চলিছে। কিছুমান



সাগৰৰ তলীত গঠিত হোৱা আন আন প্ৰৱাল দ্বীপৰ দৃশ্য

দিনৰ আগতে ৰয় ৱাল্ড মাইনাৰ, ছুইটিং আৰু মক্সী আদি নামৰ কেইজনমান আমেৰিকাৰ বৈজ্ঞানিকে ষ্টেণ্ডাৰ্ড জে নামে এখন জাহাজ লৈ হাভানাৰ ওচৰৰ প্ৰৱাল দ্বীপ





পানীৰ তলত ফটো লোৱা মুখী কেমেৰা (বাওফালে)

পানীৰ তলত অকা ছবিৰ দৃশ্য

আবিষ্কাৰ কৰি তাৰ ফটো সংগ্ৰহ কৰি আনিছে। ৰয় ৱাল্ড মাইনাৰে এই পোৱালবিলাকৰ গঠন প্ৰণালী আৰু কেনেকৈ ফটো লোৱা হল সেই সম্পৰ্কে বিৱৰণ প্ৰকাশ কৰিছে।



মিঃ মাইনাৰ জখলাই দি পানীৰ তললৈ নামিছে।

সাগৰৰ তলীত যিবিলাক পোৱাল আছে সেইবিলাক ঠিক গছৰ আকৃতিৰে ঠাল ঠেঙুলি মেলি গঠিত হয়। এই

পোৱালবিলাকৰ গঠন প্ৰণালী অতি আচৰিত ধৰণৰ। জীৱিত পোৱালবোৰৰ গাৰ বৰণ অতি উজ্জ্বল আৰু চিকমিকীয়া। ইহঁতৰ গাৰপৰা সূৰ্য্যৰ ৰশ্মিৰ নিচিনা পোহৰ ওলায়।

তেওঁলোকে পানীত বুৰিওৱা যন্ত্ৰৰ সহায়েৰে পানীত বুৰ মাৰি সাগৰৰ তলীত থকা পোৱাল দ্বীপবোৰৰ ফটো তুলি লয়। সাগৰৰ পানীত থকা নানা বৰণীয়া মাছবিলাকৰ বিৱৰণো এওঁলোকে প্ৰকাশ কৰিছে।



সাগৰৰ তলৰ প্ৰৱাল দ্বীপ

উক্ত বৈজ্ঞানিকসকলে লগত যাওঁতে বগা কলা আৰু হৰেক বৰণীয়া ছবি তোলা তিনটা কেমেৰা লৈ গৈছিল।

এই বৈজ্ঞানিকৰ দলটো আমেৰিকাৰ মিউজিয়ামৰ তৰফৰপৰা গৈছিল।

জেপেলিন

—শ্ৰীযুত গোলোকচন্দ্ৰ শৰ্ম্মা

প্ৰাচ্য দেশীয় পুৰাণত দেখিবলৈ পোৱা যায়,—অৰ্জ্জুনে সুভদ্ৰাক লৈ আকাশেদি উৰি পলায়ন কৰিছিল, বীৰ মেঘনাদে মেঘৰ আঁৰত থাকি শত্ৰুপক্ষৰ লগত যুদ্ধ কৰিছিল। এনে ক্ষমতা কেৱল দেৱতাৰ অথবা দৈৱশক্তি সম্পন্ন অতিমানৱৰ গাতেইহে থাকিব পাৰে বুলি সকলোৰে বিশ্বাস আছিল। কিন্তু ১৮৯০ খৃষ্টাব্দত যেতিয়া প্ৰসিদ্ধ জাৰ্ম্মান সৈন্যাধ্যক্ষ কাউণ্ট টেছপেলিনে গভীৰ অথচ দায়িত্বপূৰ্ণ কাৰ্য্যৰপৰা অৱসৰ গ্ৰহণ কৰি বৈমানিক পথেৰে যাতায়াত কৰিবৰ কাৰণে আকাশী জাহাজ তৈয়াৰ কৰিব বুলি ঘোষণা কৰিলে তেতিয়া আৰু জনসাধাৰণৰ মাজত আশ্চৰ্য্যৰ সীমা নোহোৱা হল। তেওঁৰ আগতেও ১৫০৮ খৃষ্টাব্দত এবট ডেমিয়ান নামে এজন ইংৰাজে চৰাইক অনুকৰণ কৰি পাখি লগাই স্কটলেণ্ডৰপৰা ফ্ৰান্সলৈ যাবলৈ ইচ্ছা কৰিছিল। কিন্তু অলপ দূৰ অগ্ৰসৰ হওঁতেই হাত ভৰি ভাগি পৰি থাকিল।

অজান বস্তু জানিবৰ নাইবা নেদেখা বস্তু দেখিবৰ আকাঙ্খা মানৱৰ এটি সাধাৰণ প্ৰবৃত্তি। নানা বাধা বিঘিনি অতিক্ৰম কৰি মানৱ মস্তিষ্ক প্ৰতিফলিত হৈ উঠে। এবট ডেমিয়ানৰ অকৃতকাৰ্য্যতাৰ দহ বছৰৰ ভিতৰতে বেলুনৰ সৃষ্টি হয়। অষ্ট্ৰিয়া দেশীয় বিখ্যাত বৈজ্ঞানিক স্বোয়াৰ্জ্জে এলুমিনিয়ামৰে পাতল আবৰণ তৈয়াৰ কৰি আকাশত বিহাৰ কৰিবলৈ যত্ন কৰিছিল; কিন্তু সফলতা লাভ কৰিব নোৱাৰিলে। স্বোয়াৰ্জ্জৰ চিন্তাধাৰাৰ গতি লক্ষ্য কৰিয়েই জীৱন উছৰ্গা কৰি সফলতা লাভ কৰিছিল একমাত্ৰ টেছপেলিনে।

১৮৩৮ খৃষ্টাব্দৰ ৮ জুলাই তাৰিখে মেঞ্জেল চহৰত কাউণ্ট টেছপেলিনৰ জন্ম হয়। অতি সৰু কালৰেপৰা তেওঁৰ মন যুদ্ধ বিগ্ৰহত আকৃষ্ট হয় আৰু সেই কাৰণেই ১৮৫৮ খৃষ্টাব্দত জাৰ্ম্মান সৈনিক বিভাগত প্ৰৱেশ কৰে। তাৰ পিছত আমেৰিকালৈ ৰাওনা কৰি ছিভিল ৱাৰৰ সময়ত 'কনফিডাৰেট'ৰ পক্ষে যুদ্ধ কৰে। সেই যুদ্ধতে

তেওঁ পোন প্ৰথমে বেলুনৰ উপকাৰীতাৰ মধুৰ সপোন দেখে আৰু কেইবা বাৰো আৰোহন কৰে।

১৮৮০ খৃষ্টাব্দত জন্মভূমিলৈ প্ৰত্যাৱৰ্ত্তন কৰি ফ্ৰান্স আৰু ৰুছিয়াৰ যুদ্ধত ৰুছিয়াৰ পক্ষে যুদ্ধ কৰি অশেষ পাৰদৰ্শিতা লাভ কৰে। সেই যুদ্ধতে তেওঁ সৈন্যাধ্যক্ষ পদত নিযুক্ত হয়। ইয়াৰ পিছত বহুত দিনলৈকে তেওঁৰ বিষয়ে জানিবৰ বিশেষ সুবিধা একো নাছিল। প্ৰায় পঞ্চাশ বছৰ কাল সৈনিক বিভাগত কাম কৰি অৱসৰ লৈ আকাশী ৰথ নিৰ্ম্মাণৰ মধুৰ সপোন দিঠকত পৰিণত কৰিবৰ কাৰণে বদ্ধপৰিকৰ হয়। শেষত কম্পটেঞ্চ নামে এটি হ্ৰদৰ পাৰৰ কাৰখানাত (work shop) প্ৰৱেশ কৰি দিন ৰাতি ভেদাভেদ নোহোৱাকৈ বিমান বিজ্ঞানত মনোনিবেশ কৰিলে। কিন্তু কি হব? এপিনে মনৰ অদম্য উৎসাহ, দৃঢ় প্ৰতিজ্ঞা, আনপিনে আৰ্থিক অনাটনৰ ঘোৰ সমস্যা। উপায়হীন হৈ পৈতৃক সম্পত্তি সকলো বিক্ৰী কৰি ছাৰে চাৰি লক্ষ টকাৰে বিমান ৰথ তৈয়াৰ কৰিবৰ কাৰণে ককালত টঙালি বান্ধি সাজু হল।

ছবছৰ অক্লান্ত পৰিশ্ৰম, কঠোৰ সাধনা আৰু অৰ্থব্যয়ৰ দ্বাৰা প্ৰথম 'জেপেলিন' বা 'টেছপেলিন' নিৰ্ম্মাণ কৰিলে। ই দীঘলে প্ৰায় ৩০০হাত পুতলে ৫২ হাত আৰু ওখই ৪৪ হাত।

আজি টেছপেলিনৰ দ্বাৰা নিৰ্ম্মিত জেপেলিনে সুনীল গগনত বিহাৰ কৰি জগতবাসীৰ প্ৰাণত নতুন ভাবৰ প্ৰেৰণা জগাই তুলিব, টেছপেলিনৰ ভাগ্য পৰীক্ষাৰ চানেকি জগতত দাঙি ধৰিব—কম্পটেঞ্চ লোকাৰণ্য হৈ পৰিল। ক্ৰমান্বয়ে সময় হৈ আহিল। সিংহৰ দৰে জেপেলিনৰ ইঞ্জিনে ভীষণ ৰাৱেৰে গৰজি উঠিল। সকলোৰে তীক্ষ্ণ দৃষ্টি সেইফালে পৰিবলৈ ধৰিলে। মাটিৰ পৰা লাহে লাহে উঠি শূন্যত বিহাৰ কৰিবলৈ ধৰিলে। আনন্দৰ খলকনিত, হাতচাপৰিত গোটেই ঠাই মুখৰিত হৈ পৰিল। পাঁচ মিনিট, দহমিনিট, পোন্ধৰ মিনিট, সুকলমে পাৰ হৈ গল।

কুৰি মিনিট—এনেতে নামিবলৈ ধৰোতে হঠাৎ মাটিত পৰি ভাগি চূৰ্ণাকৃত হৈ গল। সকলোৰে মন বিষাদত দগ্ধ হৈ পৰিল। কিন্তু টেছপেলিনৰ উৎসাহৰ এক বিন্দুমাত্ৰও কম নহল বৰং সেই অকৃতকাৰ্য্যতাই তেওঁৰ মন আৰু দৃঢ়তৰ কৰি কৰ্ত্তব্য পথত অগ্ৰসৰ হবৰ কাৰণে মহৎ অনুপ্ৰেৰণাহে দিবলৈ ধৰিলে। টেছপেলিনৰ ওপৰত প্ৰজাৰ মধুৰ আশীষ বৰ্ষণ হবলৈ ধৰিলে।

টেছপেলিন মহা নিৰুপায় হল। কাৰণ প্ৰথমখন বিমান-ৰথ তৈয়াৰ কৰোতেই তেওঁৰ সৰ্ব্বস্ব শেষ হৈ গল। পুনৰ ৰথ নিৰ্ম্মাণ কৰিবলৈ হাতত ফুটাকড়ি এটিও নাই। তথাপি তেওঁ হতাশ নহল। পৰিশ্ৰমী লোকক ভগৱানেও সহায় কৰে। জাৰ্ম্মানবাসী সকলো প্ৰজাই অৰ্থ সংগ্ৰহ কৰি তেওঁৰ এই মহৎ কাৰ্য্যত সহায় কৰিবলৈ প্ৰস্তুত হল। দেশবাসীৰ সহায়ত তেওঁ তিনিখন ৰথ নিৰ্ম্মাণ কৰিলে।

ইমান দিন জাৰ্ম্মান গৱৰ্ণমেণ্টে টেছপেলিনৰ এই মহৎ কাৰ্য্যত অলপো সহায় কৰা নাছিল। এতিয়া চকু মুকলি হল। গৱৰ্ণমেণ্টৰ খৰচতে চতুৰ্থখনি বিমান ৰথ নিৰ্ম্মাণ কৰি 'লুছাৰিন'ৰপৰা টছুৰিছলৈ পথাৰৰ ব্যৱস্থা কৰা হল। কিন্তু ২৪ মাইল বেগেৰে দহঘণ্টা যোৱাৰ পিছতে সিও পৰি নষ্ট লৈ গল।

ইয়াৰ পিছত গৱৰ্ণমেণ্টৰ আৰু জনসাধাৰণৰ সহায়তা ১৯০৯ চনৰপৰা ১৯১০ চনৰ মাজ ভাগলৈকে মোট ১১৫ খন বিমান-ৰথ তৈয়াৰ কৰা হৈছিল। ১৯১০ চনত এখন জেপেলিনে ২০জন যাত্ৰী আৰু ১২ জন চালকেৰে (Pilot) সৈতে ৩০০মাইল নিৰাপদে ঘূৰি আহে।

যোৱা যুদ্ধতো এই জেপেলিনৰ সহায়ত আন আন শক্তিশালী জাতিসমূহক জাৰ্ম্মানে বিব্ৰত কৰি তুলিছিল। জাৰ্ম্মানৰপৰা চাৰি পাঁচখন জেপেলিন একেলগে লণ্ডন চহৰত বোমা নিক্ষেপ কৰিবৰ কাৰণে যাত্ৰা কৰি গৈছিল; কিন্তু মাজ বাটতে ইঞ্জিন বেয়া হোৱাত কাৰ্য্যত তিমান অগ্ৰসৰ হব নোৱাৰিলে।

জগতবাসীৰ মাজত এই আৱিষ্কাৰৰ পূৰ্ণ সন্ধান আৰু নিদৰ্শন দেখুৱাই ১৯১৭ চনৰ ৮ মাৰ্চ্চ তাৰিখে এই মহাপুৰুষ বৈজ্ঞানিকে মহাপ্ৰয়াণ কৰিলে 'ছাৰলটেনবাৰ্গ' নামে চহৰত। এই বৈজ্ঞানিকৰ অভাৱত জগতৰ এক মহা ক্ষতি হৈছে।

বিবিধ

পৃথিবীৰ এধানমানি সন্তান

ইংলণ্ডত ৱেষ্টমিন্‌ষ্টাৰৰ ইন্‌ফেণ্ট হস্পিতাললৈ প্ৰতিপালন আৰু শুশ্ৰূষাৰ বাবে এটি নিচেই অকণমান শিশু-সন্তান অনা হৈছে। জন্ম হওঁতে এই সন্তানটিৰ ওজন আছিল মুঠেই ১৩ আউন্স বা মোটামোটি ১৩ ছটাক অৰ্থাৎ তিনি পোৱাতকৈ অলপ বেছি। কিন্তু হস্পিতাললৈ অনাৰ লগে লগে সন্তানটিৰ ভৰ ক্ৰমান্বয়ে বাঢ়িব লাগিছে। আৰু এতিয়া গৈ ইয়াৰ ভৰ হৈছে ৩ পাউণ্ড বা প্ৰায় ডেৰ সেৰ। উক্ত হস্পিতালৰ ডাক্তৰ এজনে কৈছে যে ইমান কম ওজনৰ সন্তান পৃথিবীত জন্ম হৈছে বুলি তেওঁ কব নোৱাৰে। সাধাৰণতে জন্ম অৱস্থাত সন্তানৰ ওজন ৭ পাউণ্ড বা প্ৰায় ছাৰে তিনি সেৰ থাকে।

টেলিফোন ব্যৱহাৰত বৃটেইন তৃতীয়

টেলিফোন ব্যৱহাৰ কৰা জাতিবিলাকৰ ভিতৰত আমেৰিকাৰ যুক্তৰাজ্যই প্ৰথম স্থান অধিকাৰ কৰিছে; জাৰ্ম্মেনি দ্বিতীয় আৰু বৃটেইন তৃতীয় হৈছে। পষ্ট অফিছ প্ৰণালীৰে যুক্তৰাজ্যই ব্যৱহাৰ কৰে ১,৭৫,৪৭,০০০, জাৰ্ম্মেনিয়ে ২৯,৬০,৪০১ আৰু বৃটেইনে ২১,৪১,৭০০টা টেলিফোন।

চকাৰ ওপৰত যাদুঘৰ

ফ্ৰান্সৰ এটা বিদ্বান সঙ্ঘই ফৰাছী ৰেইলৱেৰ লগত সহযোগ কৰি চকাৰ ওপৰত এটি ভ্ৰাম্যমান যাদুঘৰ প্ৰদৰ্শনিৰ ব্যৱস্থা কৰিছে। এই সঙ্ঘই ৰেলৰ দৰাবিলাকত ফ্ৰান্সৰ জীৱিত শিল্পীসকলৰ ছবি আঁকি গোটেই ফ্ৰান্সতে দেখুৱাই ফুৰিব।

মূৰৰ চুলিৰে কৰ আদায়

ৰুমানিয়াৰ এখন গাৱঁত এজন ছৰকাৰী কৰ্ম্মচাৰীয়ে এটা দুখীয়া কৃষকৰ ঘৰত কৰ আদায় কৰিবলৈ গৈছিল। বিষয়াজনে খেতিয়কটোৰ ঘৰত একো নাপাই তাৰ ঘৈনীয়েকৰ দীঘল আৰু ধুনীয়া চুলিতাৰকে কাটি লৈ আহিল! পিছে এতিয়া মানুহজনীয়ে আদালতত বিষয়াজনৰ বিৰুদ্ধে ক্ষতি পূৰণৰ মোকৰ্দ্দমা কৰিছে।

উচ্চতম অট্টালিকা

"ছভিয়েটৰ ৰাজপ্ৰাসাদ" নামেৰে ৰাছিয়াত এটা পৃথিবীৰ ভিতৰত আটাইতকৈ ওখ অট্টালিকা নিৰ্ম্মাণ কৰিবলৈ দিহা কৰা হৈছে। এই নিৰ্ম্মাণ কাৰ্য্যৰ কাৰণে পৃথিবীৰ অতি নিপুণ আৰু পটু ভাস্কৰ আৰু ইঞ্জিনিয়াৰসকলক নিয়োগ কৰা হব। ঘৰটো হব শুদা লোহা আৰু মাৰ্বোল পাথৰৰ। ই ওখই ১,৩৬১ ফুট হব; অৰ্থাৎ ছেইণ্ট প'লছ অট্টালিকাৰ তিনিগুণ, পেৰিছৰ ইফেল টাৱাৰতকৈ ৩৭৬ ফুট আৰু বৰ্ত্তমান আটাইতকৈ ওখ এম্পায়াৰ ষ্টেট বিল্ডিঙতকৈও ১১৫ ফুট বেছি ওখ হব।

আটাইতকৈ ধনী নাট্যকাৰ

নৱেল ক'ৱাৰ্ড (Noel Coward) পৃথিবীৰ ভিতৰত অতি ধনী নাট্যকাৰ বুলি পৰিচিত। তেওঁ বহুত দিনৰ আগতে চাৰি দিনত এখনকৈ নাটক প্ৰণয়ন কৰিছিল। তেওঁৰ "য়ং আইডিয়া" নামৰ নাটকখন বেচিবলৈ দুবছৰ লাগিছিল! কিন্তু আজি তেওঁ এখন নাটক বেচিবলৈ মাথোন চাৰি ঘণ্টা সময় লাগে। মিঃ ক'ৱাৰ্ডৰ বয়স বৰ্ত্তমান ৩৫ বছৰ।

গোলাপী ৰঙৰ বৰফ

সকলোৱে জানে যে বৰফ সদায় বগা; কিন্তু এই বছৰত অষ্ট্ৰেলিয়ান এল্পছ পৰ্ব্বতত দুবাৰ গোলাপী ৰঙৰ বৰফ পৰিছে।

সাপক কামুৰি নিজৰ প্ৰাণ ৰক্ষা

কিছুদিনৰ আগতে হাবিত এটা চাওঁতাল পহৰীয়াক এটা অজগৰ সাপে দংশন কৰে। সাপে কামোৰাৰ পিছত চাওঁতালটোৱে কোনোমতে নিজকে চম্ভালি সাপটোৰ ফনাৰ ওপৰত গছকি ধৰি তাৰ গাৰ কেৰা ঠাইতো দাত লগাকৈ কামুৰি দিয়ে। ইয়াৰ পৰিণাম বৰ শুভ হল। সাপটো তৎক্ষণাৎ মৰি থাকিল আৰু চাওঁতালটো ক্ৰমান্বয়ে বিষৰপৰা মুক্ত হৈ মৃত্যুৰপৰা ৰক্ষা পৰিল।

মাটি খোৱা মানুহ

মিছৰ দেশৰ মৰুভূমিত বিড়ুইন নামে অভিহিত এবিধ মানুহ আছে। ইহঁতৰ ঘৰ-বাৰী নাই; চিৰজীৱন মুকলি আৰু নীলা আকাশৰ তলত তম্বু তৰি আৰু মৰুভূমিৰ ওপৰে ওপৰে ভ্ৰমণ কৰি দিন অতিবাহিত কৰে। ইহঁতৰ প্ৰধান আহাৰ হৈছে শামুক-আৰু এবিধ বোকা।

মানুহ পাথৰত পৰিণত

মিঃ টমাছ মেকডনেল নামৰ এজন মানুহ ৪৯ বছৰ ধৰি ক্ৰমাগত পাথৰত পৰিণত হব লাগিছে। ই এবিধ অতি আচৰিত ধৰণৰ ব্যাধি আৰু এই ৰোগেই তেওঁৰ প্ৰত্যেক মাংসপেশী শিলৰ নিচিনা টান কৰি পেলাইছে। মিঃ টমাছ মেকডনেলৰ ৭ বছৰ বয়সতে এই বেমাৰ আৰম্ভ হয়।

ছদ্মবেশী

চতুৰ্থ আধ্যা

উপন্যাস]

—শ্ৰীযুত শান্তিৰাম দাস বি-টি

পাপৰ পৰাচিত

প্ৰায় এবছৰ পাৰ হৈ গল। লেভিছন অসৎ চৰিত্ৰৰ ডেকা; সি নানা ঠাইত বিশেষকৈ পেৰী নগৰত ঘূৰি ফুৰে। ইছাবেল বেছি ভাগ অকলে অকলে থাকে। লৰ্ড বংশৰ নিচিনা উচ্চ বংশজাত ছোৱালী এজনী সুপথ এৰি কুপথে চলিলে যেনেকুৱা হব লাগে বা হোৱা উচিত, ইছাবেলৰ তাতোকৈ অধিক হল। সেই গিৰিয়েকৰ ঘৰ এৰি যোৱা আপদীয়া নিশাৰপৰা তাইৰ মনত সুখ শান্তি, মনৰ স্থিৰতা, একো নোহোৱা হল। খন্তেকীয়া কু প্ৰবৃত্তিৰ উত্তেজনাৰ বশবৰ্ত্তী হৈ মুহূৰ্ত্তকতে তাই অতল অন্ধকূপত জাপ দিলে। আদৰুৱা গিৰিয়েকৰ বুকুৰ মাজত পদুম ফুল পাহি যেন হৈ শোভা পাইছিল, আকৌ সৰ্ব্বজন ঘৃণিত হৈ দুৰ্গন্ধেৰে পৰিপূৰ্ণ অতল অন্ধকূপত পৰিল গৈ। তাৰপৰা আৰু কোনো কালে উদ্ধাৰ নাই! কোনোকালে নাই!! ঘৰৰপৰা ওলাই অহা মুহূৰ্ত্ততে তাই বুজিলে—কি কৰিলে। লাহবিলাহ, সুখ-সম্ভোগ, স্বাধীনতা, আশা মৰীচিকা এতিয়া বিভীষিকাপূৰ্ণ ভয়ঙ্কৰ মূৰ্ত্তি ধৰি উঠিল। ভগিনী, পত্নী, মাতৃ যেয়ে যি হোৱা যদি কোনোবা কেতিয়াবা এনেকৈ পথভ্ৰষ্ট হোৱা তেন্তে নিশ্চয় এনেকৈ এদিন চেতন লভিবা আৰু বুজিবা। বিবাহিত জীৱন দুঃখময়, কঠোৰ পৰীক্ষাপূৰ্ণ হব পাৰে, স্ত্ৰী জীৱনৰ পক্ষে অসম্ভৱ হৈ উঠিব পাৰে, সেইবোৰ সকলোকে অকাতৰে সহ্য কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিবা। যাতে সকলো নিৰ্য্যাতন সহ্য কৰিব পাৰা, কৰপুতে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা ধৈৰ্য্যৰ নিমিত্তে, দস্যু ডকাইতৰ আক্ৰমণ অতিক্ৰম কৰিব পাৰা শক্তি পাবলৈ। তথাপি নিজৰ নাম-যশ, মান-গৌৰৱ, বিবেক-বুদ্ধি নেহেৰুৱাবা লাগে মৃত্যু পৰ্য্যন্ত সকলো সহ্য কৰিবা। অন্যথা কৰিলেই মৃত্যুতকৈও ভয়াবহ।

বেচেৰী ইচ্ছাবেল! তাই নিজৰ স্বামীদেৱতা, লৰা-ছোৱালী, ঘৰ-বাৰী, নাম-যশ, মান-গৌৰৱ, স্ত্ৰীজাতিৰ অলঙ্কাৰ স্বৰূপ আটাইকে অকাতৰে বিসৰ্জ্জন দিলে। তাই ভগৱানৰ প্ৰতি কৰ্ত্তব্য পৰাঙ্মুখ হল। ইচ্ছাক্ৰমে তাই ভগৱানৰ নিৰ্দ্দেশ লঙ্ঘন কৰিলে। কাৰ নিমিত্তে? কাৰ্লাইলৰ নিচিনা পুৰুষৰ তুলনাত এজন বাটৰ ভিকহু কপট লম্পট ফ্ৰান্সিছ লেভিছনৰ বাবে? কিন্তু যি মুহূৰ্ত্ততে তাই কুপথত ভৰি দিলে, সেই মুহূৰ্ত্ততে বাধা বিঘিনি পাৰ হ'ল, তাৰ পিছ মুহূৰ্ত্ততে তাইৰ অনুতাপ আৰম্ভ হ'ল। তাই বিবেকৰ বৃশ্চিক দংশন অনুভৱ কৰিবলৈ ধৰিলে। বুজিলে যে তাইৰ জীৱনৰ সোঁত এটা অন্ত নোহোৱা দুৰ্গন্ধপূৰ্ণ অন্ধকাৰ দ গাঁতলৈ ববলৈ আৰম্ভ কৰিলে।

এবছৰ প্ৰায় অতীত হল; লেভিছনৰ লগত ইছাবেলৰ দিন নাযায়, ৰাতি নুপুৱায়! এতিয়া বুজিলে লাহ-বিলাহৰ ৰজা আটক ধুনীয়া ফ্ৰান্সিছ কেপ্তেন লেভিছন কেনে মানুহ। পাপৰ পৰাচিত হবলৈ পুৰোহিত আগত ৰাখি ফুল তুলসীপাত দলিয়াবলৈ আৰম্ভ কৰিলে!

এদিন ৰাতিপুৱা ৮ মান বজাত ইছাবেল আজি এবছৰৰ মূৰত—চাহ খাবলৈ চাহৰ মেজৰ ওচৰত বহিলহি। লেভিছনো এডোখৰ মলিন সাজ পাৰ পিন্ধি ঢলংপলং কৈ ওচৰত বহিলহি। ইছাবেলক সুধিলে, "মোৰ বোলে দুখন চিঠি আছে?"

"ওঁ দুখন চিঠি! এজন মানুহেই লিখা যেন দেখি; বোধহয় তোমাৰ আমোক্তাৰে লিখিছে।"

আমোক্তাৰৰ চিঠিৰ নাম শুনিয়েই লেভিছনে চিঠি দুখন মেজৰপৰা খাপসাৰি লৈ উঠি গল। খিৰিকি এখনৰ ওচৰত থিয় হৈ চিঠি ফালি পঢ়িলে। তাৰ এখনত লিখা আছিল—

মহাশয়,

ইয়াৰ দ্বাৰা আপোনাক জনোৱা যায় যে মিঃ কার্লাইল আৰু লেডি ইছাবেল কার্লাইলৰ মোকৰ্দ্দমা শেষ হল। কার্লাইলৰ ইছাবেলক ত্যাগ কৰা পত্ৰ সাব্যস্ত হ'ল। আপোনাৰ অনুৰোধমতে সেই কথা আপোনাকে জনালো।

বশম্বদ

"মছ এণ্ডগাৰ"

ফ্রান্সিছ লেভিছনলৈ

সকলো তেনেহলে শেষ হ'ল। ইছাবেলে, কার্লাইলৰ ওপৰত সকলো স্বত্ব চিৰকালৰ বাবে হেৰুৱালে। ইছাবেল পলোৱা যেতিয়া সিদ্ধান্ত হ'ল, তেতিয়াই কার্লাইলে দেশ-দস্তুৰমতে ইছাবেলক ত্যাগ কৰিবলৈ অনুমতি পাৰৰ নিমিত্তে আদালতত প্ৰাৰ্থনা জনাইছিল। তাৰ উত্তৰ পায়েই ইছাবেল মুক্ত হয়, স্বাধীন হয়, আৰু লেভিছনক বিয়া কৰাবলৈ ক্ষমতাপ্ৰাপ্ত হয়। ইছাবেলে দিনৰাতি তেনেকুৱা খবৰ এটাৰ আশা পালি আছিল; কিন্তু লেভিছনৰ দুৰভিসন্ধি আছিল। সেইদেখি সি চিঠিখন পঢ়িয়েই ভালকৈ ভাজ কৰি ভিতৰ জেপত সুমাই থলে। ইছাবেলে সুধিলে, "কিবা খবৰ আছেনে?"

লেভিছনে আচুৰাভাৱে উত্তৰ দিলে, "খবৰ, কি খবৰ?"

"মোৰ ত্যাগ সম্বন্ধে?"

"নাই, একো নাই" বুলি কৈয়ে দ্বিতীয়খন চিঠি ফালি পঢ়িলে। তাত আছিল—

মহাশয়,

আজি আপোনালৈ চিঠি লিখাৰ পিছতে খবৰ পালো যে আপোনাৰ বুঢ়া বাপেকো, ছাৰ পিটাৰ লেভিছন ঢুকাল। আপুনি তেওঁৰ উপাধি আৰু বিষয় সম্পত্তিৰ অধিকাৰী হ'ল—সেইবাবে অশেষ ধন্যবাদ। যদি আপুনি সম্প্ৰতি লণ্ডনলৈ নাহে, তেন্তে কি কি কৰিব লাগে, আদেশ পালে আপোনাৰ হকে কাম কৰিবলৈ আমি সন্তোষ পাম।

"মছ এণ্ডগাৰ—"

(ছাৰ ফ্রান্সিছ লেভিছনলৈ)

চিঠি পঢ়ি লেভিছনৰ মুখ ফুলি উঠিল। চিঠিখন মেজৰ ওপৰতে মেলি থলে। ইছাবেলে আগ্ৰহেৰে সুধিলে, "ত্যাগ মন্তৰ হলনে?" লেভিছনে উত্তৰ নিদি চাহ খাবলৈ ধৰিলে। ইছাবেলে আকৌ সুধিলে, "চিঠিখন পঢ়ি পালেনে? মোৰ কথাও কিবা আছেনে?" লেভিছনে উত্তৰ দিলে, "তেনেহলে কিয় মেজত বাখিছা?"

কিছুদিন আগেয়ে তুমি এখন চিঠি মেজত বাখিছিলা; কিন্তু তাকে মই পঢ়োতে তুমি মোক নানা গালি-শপনি পাবিছিলা; মনত আছেনে লেভিছন?" লেভিছনে গহীনাই কৈ উঠিল, সেই ঘৃণনীয় উপাধিটো বাদ দিবা ইছাবেল। মই সদায় কৈ আহিছোঁ নহয়নে? মই এতিয়া ভাল উপাধি এটা পাইছোঁ।"

"কি উপাধি?"

"চিঠিখনত চোৱা।" ছাৰ ফ্রান্সিছ লেভিছনে চাকৰ এজনক মাত দি কলে, "মই কাইলৈ লণ্ডনলৈ যাম; বস্ত্ৰ বেহানি ঠিকৈকে বান্ধ গৈ।" কৰ্ত্তাৰ আদেশ পাই চাকৰ জন ওলাই গ'ল। ইছাবেলে সুধিলে, "তুমি দি কেইদিনা তাক নকবিলা? মোক একো নিদিলা?"

"অন্ত উপায় নাই। মোৰ এতিয়া কামৰ বৰ ভিৰ হ'ল।"

"মছ এণ্ডগাৰে লিখিছে যে তোমাৰ হকে সিহঁতে সকলো কাম কৰিব। তোমাক যাবলৈতো লিখা নাই।"

"নহয়, মই লণ্ডনলৈ যাবই লাগিব। বিশেষকৈ মই ককা-শ্বশুতাৰ অন্ত্যেষ্টি ক্ৰিয়াত নিজে উপস্থিত থাকিব লাগে।"

"তেনেহলে ময়ো তোমাৰ লগতে যাম।"

"কি বলিয়ালি কৰা ইছাবেল? এই অৱস্থাৰে তুমি তালৈ যাব পাৰিবানে? নহয়, তুমি কোনো মতে যাব নোৱাৰা।"

"তুমি গলে——, সময়ত আহি পাবানে?"

"কি সময়ত আহিব লাগে?"

ইছাবেলৰ মুখ উটিল। কৈ গল, "তুমি কেনেকৈ কথা কবলৈ ধৰিছা লেভিছন? তুমি নাজনা যে মোৰ ত্যাগ মন্তৰ হৈ প্ৰকাশ হলেই মোক তুমি আইন মতে বিয়া কৰিব লাগিব? তেহে সন্তানজনো আইনতঃ তোমাৰ উত্তৰাধিকাৰী হব।"

"এইবোৰ অনাবশ্যকীয় কথা লৈ মিছাতে মুৰ ঘমোৱা কিয়? ইমান লবালবিকৈ যে যাব লগা হলো সিও মোৰ দোষনে?"

"সন্তানজনৰ প্ৰতি তোমাৰ পুতৌ নহয়নে? দয়া মৰম নাইনে? যদি তুমি সন্তান জনৰ ওপৰত এই জাৰজ কলঙ্ক আনা তেন্তে একোৱে তাক খণ্ডাব নোৱাৰিব? সংসাৰে তাক জাৰজ বুলি হাঁহিব; সি সেই কলঙ্কৰ বোজা আজীৱন কেনেকৈ বহন কৰিব?

তেন্তে তুমি আইনজ্ঞ সকলৰ লিখি সোনকালে ত্যাগ পত্ৰ সাব্যস্ত কৰি আনা। মোৰ সময় নাই—বহুত কাম আছে।" লেভিছন ওলাই গল।

এগণ্টমান পিছতে লেভিছনে সাজ-পাৰ পিন্ধি যাবলৈ সাজু হৈ ইছাবেলৰপৰা বিদায় ললেহি, "বিদায় ইছাবেল।"

ইছাবেলৰ চুৰ্ত্তি হেৰাল। লেভিছনৰ ভবিত পৰি হাত দুখন ওপৰলৈ তুলি কান্দি কান্দি কলে, "ফ্রান্সিছ, কি কবিলা? মোৰ বিষয়ে একো নকবিলা?—মোৰ নিমিত্তে সংসাৰত একো নেবিলা?"

লেভিছনে তাইৰ হাত দুখন দাঙি কলে, "এবিছোঁ, কেলেই এৰা নাই?"

"নাই, এতিয়াও এৰা নাই। তুমি আৰু এদিন বা দুদিন থাকা। ত্যাগ পত্ৰ আহিলেই আমাৰ বিয়া হব। তাকে কবি যাবা আৰু মোক একো নালাগে।"

"নোৱাৰো, মই এদিনো অপেক্ষা কৰিব নোৱাৰো। মিছাকৈ জোৰ নকৰিবা।"

"তেনেহলে কোৱা—নকবো।"

"বাক তেনেহলে কলো—নকবো। ইছাবেল, তুমি সক ছোৱালী এজনীৰ দৰে কিয় কথা কোৱা? মই সময়ত আহি পাম।"

"মই মোৰ নিজৰ নিমিত্তে একো নকওঁ; কিন্তু মোৰ গাত থকা তোমাৰ সন্তানৰ বাবেহে কৈছোঁ। মোৰ যি হয় হওক ভয় নকৰো—কিন্তু তোমাৰ সন্তানৰ কলঙ্ক হব। আহা ফ্রান্সিছ! তোমাৰ নিমিত্তে মই সকলো পৰিত্যাগ কৰিলো! ফ্রান্সিছ! যদি মোৰ প্ৰতি তোমাৰ দয়া-মৰম নাই, তেন্তে তুমি তোমাৰ নিজৰ সন্তানজনক পুতৌ কৰা, কাৰো কৰিছোঁ তোমাক।"

"তুমি জ্ঞানশূন্য হৈছা ইছাবেল। বাট এৰি দিয়া।"

ইছাবেলে বাট ভেটি ধৰি বহিছিল; লৰচৰ নকৰিলে। লেভিছনে ভবিলে বাট ঠেলি, "বিদায় ইছাবেল" বুলি ওলাই গুচি গ'ল।

* * * *

দিনৰ পিছত দিন গল, মাহৰ পিছতো মাহ গল; লেভিছন লণ্ডনৰপৰা উভতি নাহিল। ইছাবেলৰ ভবিষ্যত ভাগ্য-আশা ক্ৰমে অন্ধকাৰ হৈ আহিল। লেভিছন যোৱাৰ পাঁচ মাহৰ পিছতে ইছাবেলৰ এটা লৰা উপজিল। আইনতঃ, দুৰ্ভাগ্যতঃ তাৰ নাম আৰক্ষ থাকিল। ইছাবেলৰ অন্তৰ ভাগিল, লগে লগে স্বাস্থ্যও ভাগিল—শুকাই যাঁয়াই জকাটো যেন হলগৈ।

এদিন ডিছেম্বৰ মাহৰ বাতিপুৱা ইছাবেল ভুইৰ ওচৰত বহি আছিল—ওচৰত সৰাটো শুৱাই থৈ। লেভিছন লণ্ডনৰ পৰা ফিৰি আহিল। তেৱো ভুইৰ ওচৰলৈ গৈ ইছাবেলৰ বিপৰীত ফালে বহিল আৰু নিজে নিজে কি কাৰণে ইমান দিন পলম, হেন-তেন ইত্যাদি নানা কপট কথা কবলৈ লাগিল। ইছাবেলে মতা নাছিল—খঙতে ক'লা পৰি আহিল। শেষত কথা শুনি সহ্য কৰিব নোৱাৰি কৈ উঠিল, "এতিয়া কিয় আহিলা?"

"কিয় আহিলো? এয়ে মোৰ প্ৰতি তোমাৰ আদৰ সম্ভাষণ? ইমান দিনৰ মুৰত ঘৰলৈ আহি তোমাৰপৰা আদৰ-সম্ভাষণ পাম বুলি আশা কৰিছিলো ইছাবেল!"

"ছাৰ ফ্রান্সিছ, তুমি অহাই ভাল হৈছে। আজি এই

দেখা দেখিতে আমার মাজত এটা বন্দবস্ত কবিব লাগে। আশা কবো তুমি কোনো কথা লুকাই নাবাবি সেই মতে কাম কবিবা।"

বুট জোতাবে কাঠ কেডোখব জুইব ফালে আগবঢ়াই দি লেভিছনে সুধিলে, "তুমি কি বন্দবস্তব কথা কোৱা ইছাবেল? মই একো বুজি পোৱা নাই।"

"সেইবোব এবা এতিয়া। কথা কোৱা আক সেইমতে কাম কবা। আজি দুয়োবে মাজত খোলা-খুলি কথা হওক; কোনো ফাঁকি প্রবঞ্চনাব কথা নকবা।"

"বাক কোনো কথা নাই, কোৱা।"

"তুমি জুলাই মাহতে মোক এই অচিনাকি হোটেল এটাত এই অৱস্থাত এবি যাওতে অপাকাব কবিছিলা যে তুমি সময়ত আহিবা আক মোক আইনতঃ, ধর্ম্মতঃ বিয়া কবাই স্ত্রীকপে গ্রহণ কবিবা। কিন্তু—"

লেভিছনে বাধা দি কলে, অৱশ্যে আহিব পবিম বুলি ভাবিছিলো, অঙ্গীকাবো কবিছিলো। কিন্তু তাবে গৈ ইমান কাম কবিব লগতে পবিলো যে কোনোমতে আহিব নোৱাবিলো। এতিয়াও মই কালিকবৈ লণ্ডনলৈ যামগৈ।"

ইছাবেলে ধীব-স্থিবভাবে কৈ গ'ল, "তুমি আগেয়ে বিশ্বাস ভঙ্গ কবিছা। তুমি ইচ্ছা কবিয়ে বিয়াবৈ নাহিলা; নহলে তুমি যোৱাব আগেয়ে সেই কাম কবি যাব পাবিলা হেতেন। কাৰণ তুমি যোৱাব কেইদিনমানব পিছতে বান্দীজনীয়ে তোমাব কাপোব কানিবোব ধোবাক দিওতে চোলাব মোনাত এখন চিঠি পাই মোব হাতত দিছিলহি। তাত মোব তাগ পত্র সাবান্ত হোৱাব কথা লিখা আছিল। সেই চিঠি তুমি যোৱাব দিনা বাতিপুৱা আহিছিল আক মই তাত কি লিখা আছিল জানিব খোজোতে তুমি মোক ফাঁকি দি চিঠিখন লুকাই খৈছিলা!" ইছাবেলে এনে ধীব স্থিব উত্তেজনাবিহীন হৈ কথাবোব কবলৈ ধবিলে যে কথা শুনি লেভিছন অবাক হল। ইছাবেলে আকৌ কলে, "তুমি তেতিয়া মোক ফাঁকি নিদিয়াহলে ভাল আছিল। গাত থকা সন্তানটোব মঙ্গলব নিমিত্তে মই যি আশা পুহিছিলো, তুমি তাকে ইচ্ছা কবিহেই নষ্ট কবিলা।"

"মই সিমানবিনি ভবা নাছিলো।"

মনব উত্তেজনা দমাই ইছাবেলে শান্তভাবে কৈ গল। "তুমি ভাবিছিলা যে মই ছাব ফ্রান্সিছ লেভিছনব বিবাহিতা স্ত্রী হবলৈ অনুমুক্তা?"

লেভিছন থিব হল আক জোতাবে কাঠ কেডোখব ওবিয়াই ওবিয়াই কবলৈ ধবিলে, "ইছাবেল, তুমি জনা উচিত যে মোব নিচিনা ভদ্রলোক এজনে পবব এবা-বোটলা ত্যাগ কবা তিবোতা এজনী বিয়া কবোৱা সাংঘাতিক অপমানব কথা।"

ইমানতো ইছাবেলে ধৈর্য্য ধবি কলে, "যেতিয়া মই তোমাক বিয়া কবোৱা কথা কৈছিলো, মোব মঙ্গলব অর্থে কোৱা নাছিলো; এই নব জাত দুর্ভগীয়া লবাটোব মঙ্গলব বাবেহে কৈছিলো। সি কলঙ্কব মূর্ত্তি ধবি সেই তাত পবি আছে চোৱাগৈ।"

লেভিছনে লবাটোব ফালে কেবাহিকৈয়ে নাচালে। আবন্ত কবিলে, "মই এতিয়া পুবণি বেবোনেট বংশব এজন উত্তবাধিকাবী। তোমাক মই বিয়া কবালে, মোব মোব বংশ পবিয়ালব সকলোবে অপমান..."

"নালাগে লেভিছন, নালাগে; ইমানে আটিছে, মিছা তর্ক কবি লাভ নাই। তুমি এতিয়াই পুবোহিত মাতি আনি বিয়া পাতিলে আক সাংঘাতিকহে হব। লবাটোব যি অনিষ্ট কবিলা, কোনো কালে তাব খণ্ডন নাই। মোব পক্ষে, মই তোমাব লগত থাকিলে ভবিষ্যতে আক সাংঘাতিক অৱস্থা হব কোনো ভুল নাই।"

"যদি মোব প্রতি তোমাব ইমানেই বৈবাগ্য জন্মিছে, তেন্তে কোনো উপায় নাই। তুমি আগেয়েও মোক ক্ষতিপূবণ দাবী কবিছিলা।"

"এবা; তুমি যিমানেই ক্ষতিপূবণ দিয়া, সি মোব এই কলঙ্ক বোজা গুচাব নোৱাবে লেভিছন! মই এই অসহনীয় বোজা চিবকাল মুবত লৈ ফুবিব লাগিব।"

"আহা—কলঙ্ক! তোমালোক স্ত্রী জাতিয়ে সেই বিষয়ে আগেয়ে ভবা উচিত।"

"অৱশ্যে মোব নিচিনা যদি কোনো অভাগিনীবে কেতিয়াবা এই পাপ পঙ্কত মজে, পবি মবে, তেন্তে তেওঁক যেন ভগবানে আগেয়ে সাৱধান হবলৈ সক্ষম কবে।"

"যদি তোমাক ফুচুলাই অনা বুলি মোক গালি পাবা তেন্তে তাব বাবে মই অলপো দায়ী নহওঁ; গিবিয়েধাব প্রতি ঈর্ষা ভাবেই সম্পূর্ণ দায়ী।"

"ঠিক কথা।"

"আক মোব বোধেবে তুমি ভুল বুজিছিলা।"

"কি ভুল বুজিছিলো?"

"তোমাব গিবিয়েবা আক সেই মিচ বাববাবাব সম্বন্ধে। তুমি অসংযত আক অন্যায়ভাবে তেওঁক ঈর্ষা কবিছিলা।"

ইছাবেলব চকুবেও পানী নোলোৱা হল—তাই নিশ্চল-শিলব মূর্ত্তি যেন হল।

"কৈ মোৱা লেভিছন, কৈ মোৱা।"

"আক সেই বাবেই কওঁ যে তুমি ভুল বুজিছিলা। কালাইলে বাববাবাব কথা কেতিয়াও কুভাবে ভবা নাছিল।" ইছাবেল ক্রোধ মবি উঠিল; সুধিলে—

"কিন্তু তুমি মোক কি কৈছিলা?"

"এবা তাকেই কৈছোঁ। সিহঁতব মাজত এটা গোপনীয় কথা আছিল। প্রণধব কথা নহয়, ইছাবেল—গোপনীয় ঘটনা। সিহঁতে যে ঘনাই ঘনাই দেখা-শুনা হয়। কথা-বতবা পাতে—কেৱল সেই সম্বন্ধে, আন বিষয়ে নহয়।"

ইছাবেলব মুখ আক শেতা পবিল। লেভিছনে নিজ মূর্ত্তি ধবি আত্ম-প্রকাশ কবিলে—ধীব-স্থিবভাবে কৈ গ'ল। তেওঁ যিমানেই ধীবভাবে কবলৈ ধবিলে ইছাবেলব পক্ষে সিমানেই অসহনীয় হৈ উঠিল। তাই সুধিলে—

"সিহঁতব ভিতবত কি গোপনীয় কথা আছিল?"

মই নাজানো, কাৰণ সিহঁতে মোক একো শুনিবলৈ নিদিছিল। তোমাকো নিদিছিল—কথা সদায় গোপনে বাখিছিল। হেয়াব পবিয়ালব কিবা এটা বব ডাঙব অপবাধ আছে। হেয়াব দম্পতীব বাবে কালাইলে সেই ঘটনা লুকাবব বাবে চেষ্টা কবিছিল। হেয়াব দম্পতী অৰ্থ যোৱা কবিবলৈ অপাবগ দেখি সেই গ্যাভক জীয়েক জনীক কালাইলব ওচবলৈ পঠায়। মই এয়ে জানো, আক বেছি নাজানো।

"তুমি সেই কথা কেনেকৈ জানা?"

"মই মাজে মাজে সিহঁতব কথা-বার্ত্তা অলপ অলপ শুনিছিলো।"

"কিন্তু মোক তুমি আন বকমে কৈছিলা লেভিছন।"

লেভিছনে হাঁহি হাঁহি কলে। "সুবগা নহলে কি সোণ গলে? প্রণয় বেপাবত আক সময় ক্ষেত্রত যদুহস্ত লাগে ইছাবেল, উচিত কথা নাথাটে।"

ইছাবেলে দীঘলকৈ দুমুনিয়াহ পেলালে—ভাগব ভাবিলে। দুয়ো কিছু সময় নীবব থাকিল। লেভিছনে সুধিলে, "মোব শোৱা ঘব পবিষ্কাব আছেনে?"

"নাই। তোমাব চাকব-নাকব কেওঁ নাই। ওল্ড লর্ড আক হোটেলব স্বামীয়ে তোমাক ইয়াত আক থাকিবলৈ নিদিয়ে; এই ঘব-দুবাব সমস্ত মোব নামে বাখিছে; তুমি ইয়াত থাকিব নোৱাবা।" তাব পিছত—এশ পাউণ্ডীয়া নোট এখন ইছাবেলে কেদিনমান আগতে লেভিছনবপবা ডাক যোগে পাইছিল—সেই কেইখন লেভিছনক ওভোতাই দি কলে। "লোৱা তোমাব টকা পইছা।"

"কেলেই তোমালৈ পঠাইছিলা তুমি বাখা।"

"নালাগে। যি কবিবা সেয়ে আটিছে—আক নেবেগিবা। আজিবপবা তোমাব লগত মোব কোনো সম্বন্ধ নাই। নিয়া এইবোব।"

লেভিছনে সকলোকে সামবি গৈ মনে মনে হাঁহি কলে, "যদি সেয়ে হয়, তেন্তে হওক বাক কোনো কথা নাই। তোমাব লগত কুকুব মেকুবীব দবে জীৱন কটোৱাতকৈ ভালেই হ'ল। কিন্তু মনত বাখিবা ইছাবেল—ই তোমাব স্বকৃত অপবাধ, মোব নহয়।"

"তোমাব কাপোব-কানিবোব লণ্ডনকৈ যাওতে যে এবি গৈছিলা, সেইবোব তোমাব চাকবব দ্বাবেই আতবাই নিবা। চাব ফ্রান্সিছ, আজিবপবা মই তোমাব লগত এবাএবি হলো।"

"আজিবপবা চিব শত্রু?"

"শত্রু নহয়—একেবাবে অপবিচিত জন। তেনেহলে বিদায়।"

"ইমানেই? মোব লগত হাত দবাধবিও নকবিবা?"

"মোৰ ভাল নালাগে।"

তেনেকৈ লেভিডনৰ আৰু ইছাবেলৰ এবাএবি হ'ল। লেভিডনে চাকৰ কেইজনক মাতি আনি সিহঁতক একোবছৰ আগণৰি বেতন দিলে আৰু সিহঁতৰ মেডামক যাতে সেই বিষয়ে আমনি নকৰে কৈ গ'ল। তাৰ পিছতে—লেণ্ড লৰ্ড আৰু ছোটেলৰ স্বামীকো তেনেকৈ এবছৰৰ নিমিত্তে টকা পইচা দি এবছৰৰ নিমিত্তে ইছাবেলক আমনি নকৰিবলৈ কৈ গ'ল।

ইছাবেল? তাই সেই নিশা জুইৰ ওচৰত বহি অন্ধকাৰত অকলে অকলে কটালে। সিদিনা ইছাবেল অনুতাপ অগনিত যেনেকৈ দগ্ধ হৈছিল—তেনিয়াইলৈকে এদিনো তেনে হোৱা নাছিল। তাইৰ বৰ্ত্তমান আৰু ভবিষ্যৎ অহস্থাই কঙ্কালৰ মূৰ্ত্তি ধৰি চকুৰ আগত নাচিবলৈ ধৰিলে। তাই কি কৰিলে? তাই নিজ ইচ্ছাৰ আদৰব গিৰিয়েক, বুকুৰ জীয়ৰ যেন লৰাছোৱালীহঁত, ৰাজহাউলি যেন ঘৰ-বাৰী, ধন-সম্পত্তি, নাম যশ, মান-গৌৰৱ সকলোকে ত্যাগ কৰিলে ভগৱানৰ পৰিত্ৰ নামত অপমান কৰিলে! ফলাফল কি পালে? তাই কি আছিল, কি হ'লগৈ? এজনী দীনা-হীনা—পতিতা! পুৰুষ জাতিৰ পুতৌৰ, স্ত্ৰীজাতিৰ ঘৃণাৰ যোগ্যা! আশ্ৰয়হীনা, বন্ধুহীনা, সৰ্ব্বজন ঘৃণিতা - অনাদৃতা।

ইছাবেলৰ অন্তৰত চিন্তাৰ ঢৌৱে থলকনি লগালে। তাই যিমানেই লেভিডনৰ আশা অভিপ্ৰায়ৰ কথা ভাবে, সিমানেই কাৰ্লাইলৰ কথা মনত পৰে! কাৰ্লাইলৰ ঘৰত তাই স্বৰ্গবাস, স্বৰ্গসুখৰ অনুভৱ কৰিছিল! কিন্তু আজি লেভিডনৰ লগত ঘৰবপৰা ওলাই আহি তাই নৰকতো ঠাই পোৱাহি নাই! পাপীষ্ঠ লেভিডনৰ তুলনাত কাৰ্লাইল পৰমেশ্বৰ যেন লাগিল! কাৰ্লাইলক পুনবাই পাবলৈ তাই বাউলি হৈ উঠিল!

চিন্তা অগনিত ডেইপুৰি মৰি তাই সেই পিনে টোপনি গ'ল। টোপনিত সপোন দেখিলে— তাই ইষ্টলিনিতে আছে কাৰ্লাইলৰ হাতত ধৰি আনন্দ মনেৰে ফুলনিত ফুৰি ফুৰিছে। লৰা-ছোৱালীহঁতে ঘাইনিৰ ওপৰত থেলথেলি উমলি জামলি আছে। অফিছৰ কামৰ কিবা কথা কৈ কৈ যেন দুয়ো হাঁহিছে। এনেতে লৰাছোৱালীহঁতৰ কোনোবা জনে কন্দা যেন পাই—সিহঁতৰ ফালে চালে। তেতিয়াই তাই সাৰ পালে। বাস্তৱিকে তেতিয়াই জুইশালৰ ওচৰত শুওঁতাই ঘোৱা দুৰ্ভগীয়া কেচুৱাটোৱে কান্দি উঠিল। তথাপি তাই মুহূর্ত্তৰ বাবে সকলোকে পাহৰিলে। তাইৰ অনুমান হল যেন তাই সেই স্বৰ্গসুখ ইষ্টলিনিত—সুখৰ ঘৰতে কাৰ্লাইলৰ লগত মহা সুখেৰে লৰা-ছোৱালীৰ সৈতে আছে। এই অতীত স্মৃতি বিজুলী প্ৰহাৰৰ দৰে বৈ মোহাৰ লগে লগে তাই বুদ্ধিক দংশন অনুভৱ কৰিলে। তাই নিৰাশাৰ অতল সমুদ্ৰত ডুবি থাকিল।

অনুতাপ অগনিয়ে ইছাবেলক জৰ্জ্জৰিত কৰি পেলালে তাইৰ দিন ৰাতি দুপুৰায় যেন লাগিল। এদিন ৰাতিপুৱা উদাসভাবে বহি আছিল। এনেতে মাউণ্ট ছেভাৰ্ণৰ লৰ্ড ভেন তাইৰ আগত উপস্থিত হলহি। ইছাবেল অবাক। তাই সুধিলে, "আপুনি মই ইয়াত থকা বুলি কেনেকৈ জানিলে?' "মই চাৰ ফ্ৰান্সিছ লেভিডনৰ ওচৰলৈ গৈ তোমাৰ ঠিকনা লৈ আহিছোঁ। জানিব পাৰিলো তোমালোক দুয়োজন এবা-এবি হৈছা।"

"মোৰ অপৰাধ ক্ষমা কৰিব দেউতা। মোৰ যি হবৰ আছিল হৈ গল আৰু বাকী নাই। কিছুদিন আগেয়ে সি এদিন ইয়ালৈ আহিছিল। সেই দিনাই তাক চিৰকালৰ নিমিত্তে ত্যাগ কৰি বিদায় দিছোঁ।"

দুয়ো নিমাত। কেইমিনিটমানৰ পিছত ইছাবেলে সুধিলে, "মোক আপুনি কিয় বিচাৰি উলিয়ালে? মই আপোনালোকৰ আটাইবে পৰিত্যক্তা—ঘৃণাৰ যোগ্যা। মই আপোনাৰ নামত কলঙ্ক আনিলো। "আৰু তোমাৰ গিৰিয়েকা আৰু লাবছোৱালীহঁতৰ নামত" বুলি লৰ্ড ভেনে গম্ভীনভাৱে কলে।—

"শুনিলো যে তোমাৰ হাতত পাই-পইছা এটিও নাই? তুমি কেনেকৈ জীয়াই থাকিবা?"

"মোৰ হাতত এতিয়াও অলপ ধন আছে। যেতিয়া—"

"লেভিডনে দিয়া ধন?"

ঘৃণাৰ ভাবেৰে ইছাবেলে উত্তৰ দিলে, "কেতিয়াও নহয়। সম্প্ৰতি মই মোৰ অলঙ্কাৰ-পাতিথিনি বিক্ৰী

কৰিছোঁ। এইখিনি ধন শেষ হলে কৰবাত পাৰিলে শিক্ষয়িত্ৰীৰ বা ধাইৰ কাম কৰি পেট পুহিম।"

"অলঙ্কাৰ? কাৰ্লাইলে কৈছে যে তুমি ইষ্টলিনিবপৰা আহোঁতে একো ধনবস্তু লগত অনা নাছিলা।"

"অৱশ্যে, মই তেওঁ দিয়া একোৱেই অনা নাই। এইখিনি মোৰ নিজৰ বিয়াৰ আগতে পিতাই দিয়া। তেনেহলে আপুনি কাৰ্লাইলক লগ পাইছে?"

"নিশ্চয় লগ পৰিছোঁ। মোৰ পৰিয়ালৰ এজনৰ দ্বাবাই এনেকুৱা কলঙ্কপূৰ্ণ অঘটন ঘটিছে যেতিয়া মই তালৈ নগৈ থাকিব পাৰোনে? যেতিয়া এই কুসংবাদ মোৰ কাণত পৰিল, তেতিয়া মই তালৈ লৰি গৈছিলো আৰু তোমাৰ কি হৈছিল—তাকে জানিব খুলিছিলো। মই তোমাক গণলা ছোৱা বুলি ভাবিছিলো। কাৰ্লাইলেতো একো নাজানে? তুমি কি কাৰণে এনেকুৱা এটা কলঙ্কপূৰ্ণ অপৰাধৰ কাম কৰিলা?

কথা শুনি ইছাবেলে সেই পিনে তবধ মানিলে; লাজ-অপমানৰ বোজাই তাইক হেঁচা মাৰি ধৰিলে।

"ইছাবেল, তুমি এতিয়া নিজ কৰ্ম্মফল ভুগিব ধৰিছা। এই ঘটনা কেনেকৈ ঘটিল মোক কবানে? কি পিশাচৰ চাবণাত তুমি তোমাক লম্পটজনক বিক্ৰী কৰিলা?"

"আহা! সি বৰ বেয়া মানুহ। সি নিৰ্দ্দয়, নিষ্ঠুৰ, নিৰ্ম্মম, লম্পট এটা।"

"মই তোমাক বিবাহিত জীবনৰ আৰম্ভণিতে সাৱধান কৰি দিয়া নাছিলোনে যে তাৰ লগত ঘনিষ্ঠতা নকৰিবা, তাৰ লগত চলাফুৰা—সকলোকে ত্যাগ কৰিবা। তোমাৰ ঘৰ-দুৱাৰলৈও যাবলৈ নিদিলা?"

"তাৰ ইষ্টলিনিলৈ মোৱা মোৰ দোষ নহয়। কাৰ্লাইলে তাক মাতি আনিছিল।"

"মই সমস্ত জানো ইছাবেল। কাৰ্লাইলে তাক নিঃসন্দেহ ভাবি মাতি আনিছিল। তেওঁ তোমাক তেওঁৰ কৰ্ত্তব্যপবায়ণা, পতিব্ৰতা, সবলচিত্তীয়, গৌৰবান্বিতা ভিবোতা বুলি ভাবিছিল।"

ইছাবেলে উত্তৰ নিদিলে; কি আপত্তি কবিব? লাজ অপমান সকলোকে সহি তলমুখকৈ বহি থাকিল। লৰ্ড ভেনে কৈ গ'ল—"যদি কোনোবা ভিবোতাই মনোমত স্বামী পাইছিল, তেন্তে তুমিয়েই কাৰ্লাইলক পাইছিলা। যদি কোনোবা মানুহে নিজৰ ভিবোতাক ভাল পাইছিল, তেনেহলেও কাৰ্লাইলেই তোমাক ভাল পাইছিল, মৰম চেনেহ কৰিছিল। তুমি তেওঁক কোন সতে ত্যাগ কৰিলা?"

ইছাবেলে গাৰ কাপোৰখন টানি টানি চকুমুখ ঢাকিলে।

"তেওঁলৈ এবি অহা চিঠিখন মই পঢ়িছোঁ; মোকহে তেওঁ চিঠিখন দেখুৱাইছিল, আৰু কাকো দেখুৱা নাই। চিঠিখন পঢ়ি তেওঁ যেনেকুৱা মৰ্ম্মান্তিক বেদনা পাইছিল, ময়ো তেনে পাইছোঁ। তেওঁ শুনিবলৈ পাইছিল যে তেওঁৰ ভনীয়েকৰ অন্যায় অত্যাচাৰৰ নিমিত্তে—ইষ্টলিনিত তোমাৰ সুখ-শান্তি নোহোৱা হৈছিল। যদি সেয়ে হয়, তেন্তে তুমি সময়ত সেইবোৰ কথা কাৰ্লাইলক কিয় কোৱা নাছিলা? কোৱা হলে সেইবোৰ অসুখৰ কাৰণ তেওঁ অনায়াসে শুচাব পাৰিলেহেঁতেন। কিন্তু চিঠিৰ মৰ্ম্মৰপবাতো সেইটো বুজা নাযায় যে তুমি কৰ্ণেলিয়াৰ নিমিত্তেই আমালোক আটাইবে ওপৰত কলঙ্ক আনিলা আৰু তোমাকো ধ্বংসৰ বাটত পেলালা।"

"এইবিলাক কথা কৈ মেলি একো লাভ নাই এতিয়া দেউতা। অতীতৰ কথা অন্ত হল।"

"নহয়, মই কম বুলি আছিছোঁ যেতিয়া কওঁ। মই সেই নৰাধমজন ইয়াত থকাত এইবোৰ কবলৈ একো সুযোগ পোৱা নাছিলো। এনেবোৰ অঘটন ঘটিলে তাৰ সুবিচাৰ কৰা পিতৃৰ কৰ্ত্তব্য। তোমাৰ পিতাৱা নাই যদিও তেখেতৰ ঠাইত মই আছোঁ; মই সেইবোৰ বিচাৰি চোৱা একান্ত উচিত।"

ইছাবেলৰ দুই চকুৰেদি চকুলোৰ নিজৰা বৈ গ'ল। তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। লৰ্ড ভেনে আকৌ আৰম্ভ কৰিলে,—"সেই চিঠিখন, পাপিষ্ঠ নৰাধম লেভিডনকেই ইয়াৰ মূল কাৰণ বুলি আমি ঠাৱৰ কৰিছিলো; কিন্তু চিঠিখনৰ পৰা বুজিলো যে এই ধ্বংসৰ অৱশ্য কাৰণ আছে। তুমি চিঠি কাক লক্ষ্য কৰি লিখিছিলা?"

"কার্লাইলে জানে।"

"নহয়, নাজানে, তেওঁ অলপো নাজানে। কার্লাইলৰ নিচিনা এজন সৰল প্ৰকৃতিৰ বিশ্বাসী সম্ভ্ৰান্ত লোক পৃথিবীত নাই। মোৰ আগত শপত খাই কৈছিল যে তেওঁ তোমাৰ এই আকস্মিক পলায়নৰ কথা একো নাজানে।"

ইছাবেলৰ শৰীৰ, মন উভয়ে অৱশ হৈ পৰিছিল। তথাপি নেৰা নেপেৰাত পৰি কান্দো কান্দোকৈ কলে, "মোৰ বিশ্বাস—তেওঁ আন এজনীক ভাল পাইছিল।" লৰ্ড ভেনে চকুপকাই ধৰিলে, "কি কোৱা? তেওঁ তোমাৰ লগত নাছিলনে?"

"তেওঁ মোক অন্তৰেৰে ভাল নাপাইছিল?"

"থোৱা বুজিলো। তুমি কাল্পনিক ঈৰ্ষাৰ বশৱৰ্ত্তী হৈ সতিনী দাঁহৰ অগনিত ডেই পুৰি মৰি এইবোৰ কাণ্ড কৰিছা! শুনা ইছাবেল, মই তাকো সুধিছিলো। তেওঁ শপথ খাই কৈছে তেওঁ কোনো তেনে কামত হাত দিয়া নাই। তেওঁ কায়মনোবাক্যে তোমাৰ ওপৰত অতল বিশ্বাস কৰিছিল—ভাল পাইছিল। তেওঁ তোমাক বিয়া কৰোৱা দিন ধৰি কোনো ছোৱালীকে বেয়া চকুৰে চোৱা নাই; তোমাকেই তেওঁ জীৱন-যৌৱন সৰ্ব্বস্ব সমৰ্পণ কৰিছিল। আৰু কিবা লাগেনে?"

ইছাবেলে বুকত হাত দি কান্দিবলৈ ধৰিলে।

"কার্লাইলে কৈছে যে সেই নৰাধম কুকুৰ লেভিছন তোমাৰ ঘৰত থাকিবৰ দিন ধৰি তেওঁৰ অফিছত কামৰ বৰ ভিৰ হয়; সেইদেখি ঘৰৰ ফালে বেছি নজৰ ৰাখিব নোৱাৰিছিল। বিশেষকৈ যিদিনা তুমি নিমন্ত্ৰণ খাবলৈ গৈছিলা, সেইদিনা তেওঁৰ এটা বৰ জৰুৰী গোপনীয় কাম আছিল। সেই কাম তেওঁ কেৰাণী মহৰীৰ অগোচৰে অতি গোপনে ৰাতি ৮।৯ বজাত কৰিব লগীয়া হৈছিল। তেওঁৰ ওচৰচুবুৰীয়া পুৰণি মিতিৰ এঘৰৰ কাম আছিল।

"তেওঁ পৰিয়ালটোৰ নাম কৈছিলনে?"

এৰা হেয়াৰ পৰিয়ালৰ কথা কৈছিল। তেওঁ কৈছিল যে তোমাৰ লগত গধূলি নিমন্ত্ৰন খাবলৈ নোযোৱা বাবে তুমি তেওঁৰ ওপৰত খং কৰিছিলা। সেইকথা শুনি তেওঁ পলমকৈ যাবলৈ মন কৰিছিল। অফিছৰ কাম শেষ কৰি যাওঁতে বাটত তেওঁক হেয়াৰ দম্পতীয়ে বন্ধ কৰিলে। তাতো এৰাব নোৱাৰা সকাম আছিল।"

"অ'—এৰাব নোৱাৰা সকাম, জোনাক নিশা বাৰবাৰাৰ হাতত ধৰি ফুলনিৰ মাজত গা ঘেলাই ফুৰা সকাম! উভতি আহোতে মই নিজ চকুৰে দেখি আহিছোঁ!"

"আকৌ সেয়ে হল—তোমাৰ সতিনী দাঁহ? শুনা ইছাবেল, তোমাৰ কথাৰপৰা বুজিলো যে তেওঁলোক সেই সুন্দৰ জোনাক নিশা ফুলনিৰ মাজত ইজনে সিজনক প্ৰণয় সম্ভাষণ কৰিছিল! ছিঃ ছিঃ! কার্লাইলে যে আন এজনৰ বাট ৰাখি আছিল জানানে? ঘৰৰ ভিতৰত বেচেৰা ৰিচাৰ্ড হেয়াৰ আজি সাত বছৰৰ মূৰত অতি গোপনে ছদ্মবেশে আহি মাকৰ লগত আধা ঘণ্টা সময়ৰ বাবে কথাবাৰ্ত্তা কৈছিলহি। সেই কথা জাষ্টিছ হেয়াৰৰ কাণলৈ গলেই সৰ্ব্বনাশ। সেইদেখি কার্লাইল আৰু বাৰবাৰা দুয়ো বাটতে মিঃ হেয়াৰক বাট ৰাখি আছিল। এই হেন গোপনীয় কথা পৰ্য্যন্ত কার্লাইলে মনৰ আবেগতে মোক কৈছিল।"

কথাশুনি ইছাবেলৰ মুখ ৰঙা পৰি উঠিল—সেই তাহানিৰ পুৰণি কথা ভাবি, নিজৰ মূৰ্খালিৰ কথা ভাবি; কিন্তু সকলো অতীত, কোনো উপায় নাই। তথাপি তাই কলে, "কিন্তু তেওঁক সদায় বাৰবাৰাৰে লগত দেখা গৈছিল।"

"নিশ্চয় দেখিবা। কাৰণ হেয়াৰ দম্পতী ৰুগীয়া মানুহ—শয্যাগত; তেওঁ কার্লাইলক ঘনাই ঘনাই দেখা কৰিব নোৱাৰে; ইপিনে পুতেকৰ চেনেহত পুতেকৰ উদ্ধাৰৰ কিবা উপায় উলিয়াব পাৰিম বুলি সেই সকামত সদায় গাভৰু ছোৱালীজনীকে পঠাইছিল। এয়ে তোমাৰ সতিনীদাঁহৰ মূল কাৰণ! তুমি এই অমূলক সতিনীদাঁহৰ বাবেই লৰ্ড পৰিয়ালৰ এই যাউতি যুগীয়া কলঙ্ক আনিলানে? নিশ্চয় নহয়! তুমি নিশ্চয় এই পাপীষ্ঠ লেভিছন কুকুৰৰ ফুচুলনিত ভোল গৈ তোমাৰ পিতৃ বংশৰ ওপৰত, কার্লাইল হেন ভদ্ৰলোকজনৰ ওপৰত, তোমাৰ

লৰা-ছোৱালীহঁতৰ ওপৰত, সমস্ত স্ত্ৰী জাতিৰ ওপৰত এই যাউতি যুগীয়া কলঙ্ক আনিলা।"

"এতিয়া সকলো শেষ হৈছে দেউতা।"

"কার্লাইল কেৱল তোমাৰ প্ৰতি সত্যবাদী আৰু বিশ্বাসী আছিল; তেওঁ আন কাকো বিশ্বাস নকৰিছিল। খুব কম সংখ্যক তিৰোতাইহে বিবাহিত জীৱনত তোমাৰ নিচিনা সুখৰ ভাগী হব পাৰিছিল। তেওঁ এজন সাধু, দয়ালু, সৰল প্ৰকৃতিৰ সম্ভ্ৰান্ত লোক। তেওঁৰ বিষয়ে যিমানে জানিব খোজো সিমানেই তেওঁক নৰখানি নোৱাৰো। তেওঁৰ দেৱোপম চৰিত্ৰ! এনে হেন পুৰুষজনক তুমি ত্যাগ কৰিলা, এনে আঘাত দিলা? নিজৰ ওপৰত অসহনীয় কলঙ্কৰ বোজা ললা! নিজৰ মান গৌৰৱ, বংশ গৌৰৱ সকলোকে নৰকত ডুবালা! ছিঃ! ছিঃ!!

"কাবৌ কৰিছোঁ দেউতা আৰু নেৰেপিব, ইমানেই আটিছে। মই মহা পাপ পৰিছোঁ—তাৰ ফল চিৰকাল ভোগ কৰিম। তাৰ বেছি আৰু কব নোৱাৰো, ক্ষমা কৰিব।"

দুয়ো কিছুপৰ নিমাত। লৰ্ড ভেনে সুধিলে, "বাৰু তুমি এতিয়া কত থাকিবা?"

"মই ঠিককৈ কব নোৱাৰো—গা ভাল পালেই ইয়াৰ পৰা সোনকালে যাম।"

"তোমাৰ চাকৰ-নাকৰ এতিয়া কেইজন আছে?"

"সম্প্ৰতি দুজন ৰাখিছোঁ; কেচুৱাটো খোজ কাঢ়ি ফুৰিব পৰা হলেই এজনক বিদায় দিম।"

লৰ্ড ভেনে কেচুৱাৰ কথা শুনি উচপ খাই উঠি কলে, "ইয়াৰ ভিতৰতে কেচুৱাও এজন! পাপীষ্ঠ, নৰাধম, কুকুৰ লেভিছনে তাৰ জন্মৰ আগতে তোমাক বিয়া কৰোৱা উচিত আছিল! তোমাৰ ত্যাগ পত্ৰ প্ৰকাশ হৈছেনে?"

"বহুদিনৰ আগতে হৈছে।"

"ছিঃ! ছিঃ! কাপৰুষ কুলাঙ্গাৰ কি কৰিলি! তই এজন মানুহৰ গৃহস্থালি ধ্বংস কৰিলি, লগে লগে তিৰোতা এজনীৰ জীৱন নষ্ট কৰিলি! তোৰ ঠাই নৰকতো নহব!"

"হৈছে দেউতা, হৈছে। ইমানেই আটিছে, আৰু নেৰেপিব।"

"এই লোৱা ১০০ পাউণ্ড ভবিষ্যতে এনেকৈ মাহে মাহে দি থাকিম, মাজে মাজে খবৰ আদি লিখিবা। এতিয়া বিদায়।"

লৰ্ড মাউণ্ট ছেভাৰ্ণ ভেনে কথা কেষাৰ কৈ ওলাই গল। ইছাবেল বহি থাকিল—অকলে, চিৰকালৰ নিমিত্তে অকলে!

সুখে দুখে কিছুদিন গল—লৰাটো খোজ কাঢ়িব পৰা হল, ইছাবেলৰো গা ভাল হৈ আহিল। এদিন ৰাতি-পুৱা লৰাটো, চাকৰজন আৰু বয়-বস্তুখিনি লগত লৈ ফ্ৰান্সৰ গ্ৰিনোবল হোটেলৰপৰা বিদায় লৈ ৰেলত উঠিল। কলৈ যাব ঠিকনা নাই। দুৰ্ভাগ্যক্ৰমে ফ্ৰান্স আৰু জাৰ্ম্মানিৰ সীমাত এটা ষ্টেশ্যনৰ ওচৰত দুখন ৰেলৰ ঠেকা ঠেকি লাগিল—গাৰী খণ্ড খণ্ড হল! অলেখ যাত্ৰীৰ শতকৰা ২।৪ জনৰ বাহিৰে আটাইবোৰ মৰিল, চাৰিও ফালে হাহাকাৰ লাগিল। যি কেইজন বাচিল—সিহঁতৰো সাংঘাতিক খুন জখম—চিকিৎসালয়ত চিকিৎসাধীন।

ইছাবেলৰ চাকৰজন আৰু লৰাটো মৰিল। তাইৰ অৱস্থাও শোচনীয়, নাবাচে। এজনী ধাত্ৰী ভগ্নীয়ে (ছিষ্টাৰ) ইছাবেলৰ মূৰ শিতনাতে বহি বহি থাকি সেৱা-শুশ্ৰূষা কৰি যতন লৈছিল। ভগ্নীজনীয়ে তাইক সেৱা শুশ্ৰূষা কৰাৰ লগে লগে তাইৰ ঘৰ কত, কোন আছে, কি কৰে, কাৰবালৈ খবৰ পঠাব লাগেনে নাই—ইত্যাদি কথা সুধিছিল, কিন্তু ইছাবেলে কোনো উত্তৰ নিদিলে। অৱস্থা সঙ্কটাপন্ন হোৱাত বৰকৈ পীড়াপীড়ি কৰাত লৰ্ড ভেনলৈ চিঠি লিখিম বুলি কাকত কলম আনিবলৈ কলে। সেইবোৰ আনিলত ভনীজনীকে কলে, "তুমি কাকতখন দাঙি ধৰা, মই লাহে লাহে লিখোঁ। মোৰ হাতত একো আঘাত পোৱা নাই, মগজো ঠিক আছে, লিখিব পাৰিম।—

"লৰ্ড মাউণ্ট চেভাৰ্ণ, লণ্ডন

ৰেলৱে দুৰ্ঘনাত পৰি মই মৰো মৰো হৈ আছোঁ। মোৰ লৰাজন আৰু চাকৰটো ঢুকাল। মৰাৰ আগতে আপোনাক শলাগ জনাওঁ যে মই আপোনাৰ ওচৰত

কৃতজ্ঞতা পাশেৰে আৱদ্ধ। মই মৰাৰ লগে লগে আপোনালোকৰ কলঙ্ক মোচন হল—সেয়ে মোৰ আনন্দ। মিঃ কাৰ্লাইলক কব—তেওঁ যেন মোক ক্ষমা কৰে।" ইমানখিনি লিখিয়েই তাই আৰু লিখিব নোৱাৰিলে; আঘাতবোৰৰ বিষে তাইক জঠৰ কৰি তুলিলে। কোনো মতে "ইছাবেলক ক্ষমা কৰিব" বুলি লিখি চিঠি শেষ কৰি ভনীজনীৰ হাতত দি কলে, চিঠিখন অনুগ্ৰহকৈ লিখিত ঠিকনাত পঠাব—মোৰ মৃত্যুৰ পিছতহে আগেয়ে নহয়।"

যেতিয়া ডাক্তৰবোৰে ইছাবেলক ভালকৈ পৰীক্ষা কৰিবলৈ আহিল, তেতিয়া তাই অচেতন; সেইদেখি তেওঁলোকে ভনীজনীক সেই কথা কৈ গুচি গল। ভনীজনীয়ে ইছাবেলৰ বিছনাৰ ওচৰতে আঠু কাঢ়ি মৃতজনৰ আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে আৰু অন্যান্য ৰোগীবোৰৰ ফালে গুচি গল। তেওঁ ইছাবেলক মৰা বুলি ভাবি, পুনৰাই উভতি নাহিল আৰু চিঠিখন ডাক-যোগে লৰ্ড ভেনলৈ পঠাই দিলে। মৃতবিলাকৰ মৰা শবোৰ পুৰি পেলোৱা হল। যি কেইজন জীৱিত থাকিল, সিহঁতক চিকিৎসালয়তে ৰখা হল।

ইছাবেলৰ চেতনা আহিল; দেখিলে যে তাই চিকিৎসালয়ৰ বিছনা এখনত পৰি আছে। তেতিয়াহে তাইৰ কি হৈছিল বা নহৈছিল সকলো কথা মনত পৰিল। তেতিয়াহে তাই জানিলে যে তাই নমৰিল। কিন্তু তেতিয়াও তাই জীৱন মৰণৰ দোমোজাত। তাই সাংঘাতিকৰূপে আঘাত পাইছিল এখন ভৰিত আৰু থুতৰিত। তিনি মাহমান চিকিৎসালয়ত নানা নিকাৰ ভুঞ্জি ইছাবেল ভাল হল—কিন্তু তাইক জনমলৈ কোনোৱে চিনিব নোৱাৰা হল।

থুতৰিটো ঘূণীয়া হল, শৰীৰ শুকাই খীণাই জকাটো হৈ ৰলগৈ। পাপৰ পৰাচিত হল!

চিঠিখন লৰ্ড মাউণ্ট ছেভাৰ্ণৰ ঘৰত লেডি ভেনৰ হাতত পৰিলগৈ। লেডি ভেনে চিঠিখন পঢ়ি লৰ্ড ভেনলৈ পঠালে আৰু লগে লগে ইছাবেলৰ মৃত্যুৰ খবৰ খবৰৰ কাকতত তুলি দিলে। "ফ্ৰান্সৰ কেলে ষ্টেশ্যনৰ ওচৰত ১৮ তাৰিখে ভূতপূৰ্ব্ব লৰ্ড মাউণ্ট ছেভাৰ্ণ ৱিলিয়ামৰ একমাত্ৰ জীয়েক লেডি ইছাবেল মেৰি ভেনৰ ৰেলৱে দুৰ্ঘটনাত মৃত্যু।"

লৰ্ড ভেনে খবৰ কাকতত আৰু তাৰ পিছতে চিঠিত ইছাবেলৰ মৃত্যুৰ সবিশেষ জানি অবাক হল। কাৰ্লাইলেও খবৰৰ কাকতৰ জৰিয়তে ইছাবেলৰ মৃত্যুৰ খবৰ জানি হুমুনিয়াহ কাঢ়ি কপালে মূৰে হাত দিলে; প্ৰবোধ নামানে দেখি তেওঁলোকে ৰেলৱে আৰু চিকিৎসালয়ৰ প্ৰধান কৰ্ম্মচাৰীসকললৈ লিখালিখি কৰিলে। তেওঁলোকে ইছাবেলৰ সম্পূৰ্ণ নাম "লেডি ইছাবেল ভেন" বুলি দিলে, কিন্তু চিকিৎসালয়ৰ প্ৰধান কৰ্ম্মচাৰীয়ে তেনে নামৰ কোনো ৰোগী বিচাৰি নাপালে। লেডি ইছাবেল ভেনেই যে "মেডাম ভাইন" হৈছে তেওঁ একো ভু নাপালে। জানিবই বা কেনেকৈ? কাৰণ ইছাবেলে গ্ৰিনোবল হোটেল এৰাৰ লগে লগে তাইৰ নাম ধাম সকলোকে এৰি চিৰকলীয়া কলঙ্কৰ বোজা মূৰত লৈ ঘৰৰপৰা বাহিৰ হৈছিল। তেতিয়াৰপৰা তাই মেডাম ভাইন নাম লৈয়ে সংসাৰত লাঞ্ছনা ভুগি থাকিল।

লেডি ইছাবেল ভেনৰ নাম ধাম পাহৰণিৰ সোঁতত উটি গল।

—আগলৈ



অতীত ভাৰতৰ বিলাস সামগ্ৰী

—শ্ৰীযুত হৰিচন্দ্ৰ ভট্টাচাৰ্য্য বি-এ

আমাৰ এই আৰ্য্যভূমিখন অতীতত যে কেৱল অসভ্য বৰ্ব্বৰ কিছুমানৰেই বাসভূমি নাছিল, বৰঞ্চ বৰ্ত্তমান অৱস্থাতকৈ কোনো কোনো বিষয়ত উন্নত যে আছিল—এই কথা দিনক দিনে প্ৰায় মানুহে স্পষ্টভাৱে বুজি আহিব লাগিছে। আমাৰ অতীত আৰ্য্য জাতিৰ বিষয়ে প্ৰাচ্য পাশ্চাত্য সকলৰ ভ্ৰান্তিমূলক মতবোৰ লাহে লাহে পৰিৱৰ্ত্তিত হৈ তাৰ ঠাইত অনুসন্ধানমূলক বিশুদ্ধ সত্য আবিষ্কৃত হব ধৰিছে, আৰু তাৰ নতুন প্ৰভাৱ দুগুণ শক্তিৰে মানুহৰ অন্তৰত প্ৰৱেশ কৰি আহিব ধৰিছে।

বৰ্ত্তমানৰ পিন্ধন-উৰণ, ফুৰণ-চাকন আৰু অন্যান্য ভালেমান কাৰ্য্যকলাপ অতীতৰ প্ৰচলিত প্ৰথাবোৰৰ কেৱল যে ছাঁহে মাথোন তাকো সৰহ ভাগে আজি নুবুজি থকা নাই। যদিও আন্তৰ্জ্জাতিক সম্বন্ধত হতভাগ্য ভাৰত ভূমিৰ ওপৰত পাশ্চাত্যৰ প্ৰবল হেচা পৰিছে, যদিওবা বিদেশাগত ৰাজাধিপত্যৰ প্ৰভাৱত নিঃকিন ভাৰতবাসীৰ দৈনন্দিন জীৱন প্ৰতিক্ষণে কিম্ভূত কিমাকাৰ পৰিৱৰ্ত্তনৰ পিনে ঢাল খাব ধৰিছে, তথাপি নিঃসন্দেহে কব পাৰি যে এতিয়াও সম্পূৰ্ণ অতীত-গৌৰৱ হেৰোৱা নাই। তদুপৰি জাতিৰ পক্ষে তাৰ অতীত ৰীতি-নীতি আচৰণ প্ৰচলন থাওকতে সমূলঞ্চে অতিক্ৰম কৰা সহজ সিদ্ধ নহয়ো। অথচ আমাৰ দোষ নিজৰ ফুলনিবাৰীৰ সৌৰভময় গোলাপ ফুল ভৰিৰে গচকি লোকৰ এৰা বাৰীৰ চেৰা মদাৰ ফুল হেপাহেৰে শিৰত তুলি লৈ অপাৰ তৃপ্তি লভিছোঁহক। অইন নহলেও বিবিধ অঙ্গ-ভূষণৰ কথালৈ চালেই আমি এনে বিধৰ উদাহৰণ পাওঁ অশেষ।

সাজ পোছাকৰ সৰ্ব্বসাধাৰণ সম্বল ধুতি, চাদৰ, চোলা আদিত বাজেও জোতা, মোজা, টুপী, ছাতি আদিও প্ৰায় আজিকালিৰ দৰেই সেই কালৰ মানুহেও ব্যৱহাৰ কৰিছিল। বৈদিক যুগত অৰ্থাৎ পাশ্চাত্যসকলৰ অন্ধযুগৰো (Dark age) হাজাৰ হাজাৰ বছৰৰ আগেয়েও আমাৰ আৰ্য্যসকলে যি পোছাক পৰিচ্ছদ গ্ৰহণ কৰিছিল সেইবোৰ এপিনে যিমান সৰল নিভাঁজ আছিল আন পিনে সিমান মন মোহা আৰু কাৰ্য্যাপযোগীও হৈ পৰিছিল। সেই সময়ৰ পিন্ধা উৰা কাপোৰ সাধাৰণতে দুই ভাগে বিভক্ত কৰা হৈছিল বুলি পোৱা যায়। শৰীৰৰ ওপৰ ভাগত উৰা অংশৰ নাম "নিভি" আৰু তল ভাগত পিন্ধা অংশৰ নাম "পৰোধান"। যাগ যজ্ঞাদি দৈৱিক উৎসৱাদিত শৰীৰৰ ওপৰ ভাগত পিন্ধা সাধাৰণ পোছাকৰ সলনি হৰিণৰ চাল পিন্ধা হৈছিল। পিন্ধা কাপোৰৰ দাঁতিত চকুত লগা ধুনীয়া ধুনীয়া পাৰী (Embroidering) দিয়া হৈছিল। ব্যৱসায় অনুযায়ী মানুহৰ পিন্ধা পোছাক পৰিচ্ছদৰ তাৰ-তম্য ঘটিছিল। যেনে, ৰজাৰ পোছাক ৰমক্‌জমক্, যুদ্ধক্ষেত্ৰত যোদ্ধাৰ পোছাক যুদ্ধোপযোগী বৰ্ম্ম, মূৰত ধাতু নিৰ্ম্মিত টুপী ইত্যাদি।

ৰামায়ণ, মহাভাৰতত ৰজাবিলাকৰ ছত্ৰধাৰণ আৰু ঋষি মুনি-যোগী-ব্ৰহ্মচাৰীসকলৰ পাদুকা পৰিধানৰ উদাহৰণ অপৰ্য্যাপ্ত। পাদুকা শব্দই ভৰিত পিন্ধা খৰম বা জোতা উভয়কে বুজায়। জোতা আৰু ছাতিৰ আজি উৎপত্তিৰ বিষয়ে এটি পৌৰাণিক গল্পও শুনা যায়।

এদিন ভৰ দুপৰীয়া ৰ'দত জমদগ্নি মুনিয়ে এপাত বাণ মাৰি সেই বাণপাত তেওঁৰ ভাৰ্য্যা ৰেণুকাক আনিবলৈ পঠিয়ালে। মধ্যাহ্ন সূৰ্য্যৰ প্ৰচণ্ড উত্তাপত কোমলাঙ্গিনী ৰেণুকা লালকাল দি তবধ লাগিল, বাণ আনিবলৈ তেওঁ অক্ষম। ইপিনে স্বামীৰ আদেশ পালিব নোৱাৰি তেওঁ নিজেই নিজক লাজ ধিক্কাৰ আৰু গৰিহণা দিব ধৰিছে।

ক্রোধান্ধ হৈ মুনিয়ে তেওঁৰ দেহৰ পুনৰ্ব্বাৰ বাণ যোজনা কৰি তাপমান সূৰ্য্যক তাৰ যথোচিত শাস্তি বিহিবলৈ তীব্ৰ বেগে উদ্যত হল। মুনিৰ উগ্ৰমূৰ্ত্তি দেখি উপায় নাপাই আত্মসম্মান লাঘব হোৱাৰ আশঙ্কাত সূৰ্য্যদেৱ ক্ষমপ্ৰাৰ্থনা কৰিলে। তেতিয়া মুনিয়ে তেওঁৰ ভাগ্যী বেণুকাক এটা ছাতি আৰু এযোৰ জোতা দি সূৰ্য্যৰ উত্তাপৰ পৰা কিছু দূৰ মুক্ত হবলৈ বিধান দিলে। সূৰ্য্যই কলে—

"মহৰ্ষে ত্বং শিৰস্ত্ৰাণং ছত্ৰং মচ্ছিন্নিবাৰণম্।
এতি পুষ্যাম্ব পদ্মাক্ষ ত্ৰাণাৰ্থং চৰ্ম্ম পাদুকে॥"

এই শ্লোকবপৰা এইটোও অনুমান হয় যে আৰম্ভণি বুজি আৰু সময় বিশেষে তিৰোতাসকলে পুৰণি কাঁকতো জোতা পিন্ধিছিল।

তাহানিৰ অঙ্গ-ভূষণৰ অন্যতম সামগ্ৰী আছিল"খোলক"। ই এবিধ মুখত পিন্ধা টুপী। আজিও আসাম নিবাসীসকলৰ দৰে ছোৱালী এজনীয়েও তেওঁৰ প্ৰাণৰ কান্ত ছাত্ৰজন বজাৰ ঘৰলৈ যাওঁতে উপযুক্তভাৱে সাজ-সজ্জিতা হৈছে গৈছিল। ই মহাকবি স্বয়ং কালিদাস মুক্তিসমর্থন। 'হৰ্ষচৰিত' গ্ৰন্থত বেলা নামে দাসী (প্ৰতিচাৰী) এজনীয়েও বঙা মিহি কাপোৰ পিন্ধাৰ কথা পোৱা যায় ("পটাংশুক বক্তাংশুকস্য মুখমাচ্ছন্ন") চীন পৰিব্ৰাজক হিউয়েন ছাঙে তেওঁৰ ভাৰত ভ্ৰমণ বৃত্তান্তত অন্য কথাৰ মাজত এইদৰে লিখি থৈ গৈছে যে ভাৰতৰ মানুহ পিন্ধন উৰণত বৰ কাজী, তেওঁলোকে মূল্যবান পোছাক পিন্ধিছিল—("The people wore rich and elegant garments..... For clothing they used ornaments) তেওঁলোকে অলঙ্কাৰ আভৰণ প্ৰচুৰ পৰিমাণে পিন্ধি ভাল পাইছিল। ৰাজঘৰ হাজাৰ হাজাৰ দাসী সকলো বিদ্যাভৰণভূষিতা আছিল বুলি বামায়ণে বৰ্ণাই গৈছে। বনত একাকিনী সীতা দেৱীক হৰণ কৰিবলৈ বঙা মিহি কাপোৰ পিন্ধি হাতত কমণ্ডলু লৈ ভৰিত জোতা পিন্ধি ("উপানহৌ..... শুক্লকাষায়সংবীতা") আছি বাৰণে সৰলমতি সীতা দেৱীৰ প্ৰতি সগৰ্ব্বে কব ধৰিছে —

যদি ত্বমি স্বামী মোক বৰা শুভাননে!
জকৃষ্ণ কবি সীতা দিব্য আভৰণে
হাজাৰ দাসীয়ে তোমাক সেৱিব যতনে।

("পঞ্চ দাস্যঃ সহস্ৰানি সৰ্ব্বা ভৰণ ভূষিতাঃ। সীতে! পাৰ্থবসিংস্যন্তে ভাৰ্য্যা মে যদি মন্যসে")

পৰাহ্নভোজী দানশাসাবোৱৰ পিন্ধন উৰণৰ এনে জাকজমকতালৈ লক্ষ্য কৰি উচ্চ-দম্ভ আৰু দনগৰ্ব্বীসকলৰ সাজ সজ্জৰ গভীৰ আৱশ্যকৰ কথা সহজে অনুমান কৰ বুজিব পৰা যায়।

আজিকালি আমি যি সুগন্ধি তেল ব্যৱহাৰ কৰো ই কেৱল আধুনিক আৰিষ্কৃত বস্তুৰেইনে? শুনা যায় আগৰ দিনত কোনো কোনো ৰজা মহাৰাজাসকলক হেনো সুগন্ধি তেলেৰে স্নান কৰোৱা হৈছিল। ইয়াৰ তাৎপৰ্য্য আন নহলেও বোধহয় এনে হব যে তেওঁলোকে প্ৰচুৰ পৰিমাণে সুগন্ধি তেল খাঁইছিল। এবিধ সুগন্ধি তেলেৰে উৎসৰ্গাদিত বস্তি জলোৱা কথাৰ প্ৰমাণো দেখিবলৈ পোৱা যায়। আজিকালিও আমি দৈহিক পৈকৃত কাৰ্য্যত দুশ-দুশা লগোৱাৰ ব্যৱস্থা ৰাখি আহিছোঁহক। সুগন্ধ চূৰ্ণ ব্যৱহাৰ কৰাৰ কথা মহাপুৰুষ শঙ্কৰদেৱেও লিখি গৈছে -

"মাল্যে প্ৰিয়াসমে ধৃতিবিলাসে
হেৰা কুন্দ গন্ধ বহুমবাসে।"

"মৃত্তিকা মাৰ্জ্জন" অৰ্থাৎ গা ধুবৰ সময়ত গোটেইটো শৰীৰতে মাটি ঘঁহা নিত্য স্নানৰ এটা অঙ্গ আৰু প্ৰণালী। ইয়াৰ পৰিবৰ্ত্তে সৰ্ব্বসাধাৰণে আজিকালি ছাবোন ব্যৱহাৰ কৰে। অৱশ্যে ছাবোনো যে আগৰ দিনীয়া ভাৰতবাসী সকলে দেখা নাছিল এনে নহয়। ছাবোনৰ সংস্কৃত প্ৰতিশব্দ "ফেনক"। ই সংস্কৃত ভাষা প্ৰচলিত থকা দিনবে বস্তু। নহলে, বৰ্ত্তমানৰ মৃত ভাষা এটাত এটাই শব্দটো অভিধানত খপ্ কৰে সোমালহেতেনেই বা কবপাৰা? আজিকালি আমি বিদেশীৰ দ্বাৰা প্ৰস্তুত কৃত্তিম দ্ৰব্যসংমিশ্ৰ বং-বিৰং আমোল মোলোৱা কেতবোৰ ছাবোন ব্যৱহাৰ কৰাৰ ফলত দেহৰ চৰ্ম্মৰোগ কমক ছাৰি চৰিছেহে হবলা। কিন্তু তাহানিৰ ছাবোন আছিল অদেশ-উৎপন্ন দ্ৰব্যেৰে ঘৰতে প্ৰস্তুত, বিশুদ্ধ, নিৰ্ভাঁজ বস্তু। "কাদম্বীৰ" শূদ্ৰক ৰজা যেতিয়া গা ধুবলৈ যায় ৰাজভৃত্যাগণে আগতে নি তেওঁৰ গা ধোৱা কোঠাত

(Bath room) বিবিধ "স্নানোপকৰণ" থৈ আহিছিল গৈ। তেওঁৰ গা ধুইছিল "গন্ধোদোদক পূর্ণ" এটা প্ৰকাণ্ড আওত ঘটি, ওপৰত তাৰ ধবলবৰণীয়া চন্দ্ৰাতপ, চাৰিওপিনে প্ৰহৰী। ইয়াৰপৰা তুলি যাওঁতে স্নান কৰি অহাৰ লগে লগে আথৰ দিনৰ অস্ত্ৰাপন্ন মানুহবিলাকৰ গা ধোৱাতে হেনেই আমোল মোলাই থৈছিল ধুকাৰ।

কপালত ফোট লোৱা হৈছিল, বিশেষেকৈ তিৰোতা মানুহৰ। সংস্কৃত নাটা শাস্ত্ৰই সেইদেখি অভিনেত্ৰীৰ ভূষণ বৰ্ণাই কৈ গৈছে—"তিলকং পত্ৰবল্লী চ ভৱেৎ দন্তবিভূষণম্"। তিলক মানে ফোট। তিলকৰ সাধাৰণ দ্ৰব্য আছিল চন্দন, কস্তুৰী, অথক প্ৰভৃতি সুগন্ধ দ্ৰব্যবোৰ। আধুনিক তিৰোতাৰ মাজত কোনো কোনো ঠাইত ফোট লোৱা প্ৰথা একেবাৰে উঠিহেই গল। এনে কৰাত স্ত্রী-লোকৰ দেহৰ সৌন্দৰ্য্য আশিকভাৱে হানি হোৱা যেনেহে আমাৰ অনুমান হয়। অঞ্জন আমাৰ আন এবিধ বিলাসৰ সামগ্ৰীকপী অঙ্গলেপন আছিল। ইয়াক বিশেষকৈ দুই চুৰুৰ চেনাউৰি লেপন কৰা হয়। ই ফয়ো যায় বৰ সোনকালে।

অতীত ভাৰতৰ কেৱল তিৰোতাসকলেই নহয় মাতৃ মানুহ কিছুমানবো নিয়মিতভাৱে খুজলা লগাই সৰহ চুলি ৰাখি খোপা বান্ধি থোৱা এটা নিয়ম প্ৰচলিত আছিল। মুখৰ দুই দাঁতিয়ে কাণ পৰ্য্যন্ত ওলমি থকাকে দীঘল চুলি বথা বহুত ভদ্ৰলোকৰ বিলাসিতাৰ অঙ্গ হৈ পৰিছিল। এইদৰে বথা চুলিৰ নাম "কাক পক্ষ"। "বঘুবংশ" কাব্যত মহাকবি কালিদাসে "কাকপক্ষধৰঃ কুমাৰঃ" এই কথা উল্লেখ কৰি দীঘল চুলি বথা প্ৰথাৰ অস্তিত্বৰ সমাক্ প্ৰমাণ দেখুৱাই থৈ গৈছে। আজিকালি অনেক লোকে অতীজৰ এই বিলাসিতাৰ প্ৰথাবোৰ হেপাহেৰে পুনৰ প্ৰচলন কৰিবলৈ ধৰাটো বাস্তবিকতে বৰ সুখৰ কথা। ই অতীতৰ অচল কীৰ্ত্তি প্ৰভাৱৰ মহৎ চেষ্টা, নিজ জাতীয়ত্ব বক্ষাৰ আন্তৰিক কামনা। ফিয়েটাৰ, ভাওনা আদি কৰোতে বহুমহুত কোনো কোনো বীৰে বিশেষকৈ বাজপুত বীৰ সকলে এইদৰে ডুলিনেদি ওলমি পৰা চুলি ৰাখি নিজ নিজ ভূমিকাত ওলোৱা দেখা যায়। অসমৰ সত্ৰাধিকাৰ সত্ৰ মহত্তমসকলে আন বিষয়ত নহলেও এনেওৱে দীঘল চুলি আদি ৰাখি অতীত ভাৰতৰ আংশিক আদর্শ ছবি আমাৰ সমুখত আজিকেও দাঙি ধৰ ৰাখি আছিছে।

কোনো কোনো বিলাসীয়ে কপালৰ ওপৰত আঠোৱা আকুবিকাৰে পৰাকৈ চুলি ৰাখি ভাল পাইছিল। সংস্কৃত "কুন্তল" শব্দই এনে বিধৰ চুলিকেই বুজায়। কপালৰ ওপৰত দাঁতিয়ে কাণে ওলমি পৰি থকা চুলিৰ সৈতে ("প্ৰালম্বোন্মীলিত মনোহৰকুন্তলেঃ") বিলাসী যুৱকসকলৰ আকৃতি অতিশয় মনলোভা হৈ পাৰাছিল। "অলক" শব্দযো এইদৰে ভাজ লগা চুলিকে বুজায় ("অংগতি ভূষযাতি মুহুম্ ইতি"). 'অলক' মুখমণ্ডলৰ শোভাবৰ্দ্ধনৰ অন্যতম উপায়। আজিকালিৰ বিলাসী যুৱকসকলে এই দৰে অলক, কুন্তলাদি ৰাখি নিৰ্দ্দোষ বিলাসিতাকু পোষণ কৰা উদাহৰণ অসংখ্য আছে। ইয়াৰপৰা আমি বুজিব লাগিব যে কোনো এঠাইৰ চিৰ প্ৰচলিত নিয়ম এটা তাৰ পাছৰ পুৰুষৰ মানুহৰ দেহৰ শিৰে শিৰে হিয়াই মনে মনে দুচাবোৱে নিহিত হৈ যায় যে সি সময়ে সময়ে স্বাভাৱিকতে আপোনা আপুনি দুই দুই দৰে উমি উমি অলি উঠে। ইয়াক স্ব ইচ্ছাতে বিনা কাৰণে বৰ্জ্জন কৰা বিমান অসুচিত সিমান ভয়াধাও।

তিৰোতাৰ দীঘল চুলি বৰ্ত্তমানে যেনে বিলাস আৰু আদৰৰ বস্তু সি অতীজতো আছিল তদ্ৰূপ। দ্ৰৌপদীৰ বেণীবন্ধন যুধনি সাহিত্যত চিৰ প্ৰসিদ্ধ। দ্ৰৌপদীৰ বেণী অৰ্থাৎ সুদীর্ঘ চুলিতাবেই এদিন কুৰুকীৰ ক্ষমতাশালী দুঃশাসনক উদ্ধত আৰু বাদুল কৰি দুস্তুলিছিলনে? বঙা যুধিষ্ঠিৰ পাশা খেলত পৰাজিত হোৱাত দ্ৰৌপদী কুঁৱৰীক বেণীত ধৰি অতি নিৰ্দ্দয় ভাৱে সভাৰ মাজলৈ টানি আনিছিল।

তিৰোতাবিলাকৰ কপাল পৰ্য্যন্ত ওলমি পৰা চুলি বথাৰ উদাহৰণ কাদম্বীত পোৱা যায় (মধ্যবাত্রৌ-মিব নিতম্বচুম্বি)। 'চুড়া' মতা মানুহৰ মুখৰ ওপৰত বথা আন এবিধ চুলিৰ খোপা বিশেষ। বিজাতিৰ

"চুড়াকৰণ" প্ৰথাই এই নিয়মৰ অস্তিত্ব অদ্যাপেও আজি ধৰি থকাটো শোভনীয় কথা।

মহা মানুহৰ মৃৱত পাণ্ডবি মৰা নিয়মো অতীজত নোহোৱা নহয়। সাধাৰণতে বগা কাপোৰৰ পাগুৰিকে বেছি প্ৰশস্ত বুলি ধৰা হৈছিল। পত্ৰবাহকে পাগুৰিত চিঠি সুমুৱাই এঠাইৰপৰা আন ঠাইলৈ যোৱা কথাৰ প্ৰমাণ পুৰণি সাহিত্যত মাজে মাজে কোনো কোনো ঠাইত দেখা যায়। হৰ্ষ ৰজাৰ অন্তঃমহলৰ ৰক্ষক বৃদ্ধ ব্ৰাহ্মণে ভৰি পৰ্য্যন্ত ওলমি পৰা এবিদ দীঘল চোলা পিন্ধিছিল। তাৰ নাম "কঞ্চুক"। এতেকে তেনে পোছাক পৰিধান কৰা মানুহৰ আন এটা ব্যৱসায়িক নাম কঞ্চুকী। পৌৰাণিক সংস্কৃত নাটকবিলাকত কঞ্চুকীৰ ভূৰি ভূৰি উদাহৰণ পোৱা যায়।

অতীত ভাৰতৰ তিৰোতাসকলে পিন্ধা অলঙ্কাৰৰ উদাহৰণো নিচেই তাকৰ নহয়। "শ্ৰীমদ্ভাগৱত" পুথিৰ শ্ৰীকৃষ্ণৰ গোপীসকলে যে দেহত কত সময়ত কত ৰকমৰ বং বিবং জেউতিময় অলঙ্কাৰ পিন্ধি দেহৰ অঙ্গ ওৱনি কৰি বাখিছিল তাৰ কি সীমা সংখ্যা আছে !—

"কৃষ্ণ সঙ্গে নাচে সবে সন্তোষে গোপিনী।
বলয়া নূপুৰ বাজে ঝনকে কিঙ্কিনী॥...
ঝল মল কুণ্ডল গলতে আসি পৰে।
হালে কুশ কম্বাল স্তনবো বস্ত্ৰ সৰে॥

গোপীগণৰ "কুণ্ডল ডোল" আজিকালিৰ আমাৰ অসমীয়া তিৰোতাসকলে পিন্ধা কেকৰ দৰে আছিল হব পাৰ।

কাৰো মনত বিলাসিতা ভাব পোষণ কৰা এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়। বৰঞ্চ ই তাৰ ঘোৰ বিপক্ষবাদীহে। আমি চমুকৈ মাথোন ইয়াকে বুজাব খুজিছোঁ যে আমাৰ এই আৰ্য্যভূমিখন বৰ্ত্তমানতকৈ অতীত কালত কোনো কোনো বিষয়ত উন্নতহে আছিল, পাছপৰা নাছিল। ভাৰতভূমিখন কেৱল গৰবীয়া নৰাৰ গীতস্থল ("A land of pastoral songs") নাছিল।

ৰুদ্ধ-যৌৱন

গল্প] —শ্ৰীযুত বমা দাশ বি-এ

৪।৭।৩৫

* * * * আজি হঠাতে ইচ্ছা হ'ল তোমালৈ এখন চিঠি লিখোঁ। দুৱৰ অচিনা মানুহলৈ চিঠি লিখাটো কেনে আমোদ! তুমি হয়তো চিঠিখন পাবা, পঢ়িবা, আচৰিত হবা, ভাবিবা, হাজাৰ ভাবিলেও মোক বিচাৰি নাপাবা। মই কিন্তু সকলো জানিম, দেখিম, চকুৰে চাই উপভোগ কৰিম, তোমাৰ অসুবিধা দেখি হাঁহি ফুৰ্ত্তি পাম। কেনে মজাৰ কথা! মই সকৰেপৰা এই ধেমালিটো কৰি বৰ বং পাওঁ। আগেয়ে যাৰলৈকে-তাৰলৈকে মই চিঠি দি বৎ চাইছিলোঁ। কিন্তু আজিকালি দিব নোৱাৰোঁ, কাৰণ মোৰ বয়স হৈছে। তথাপি ঠাই বুজি বুজি এতিয়াও মই চিঠি লিখোঁ, যেনে আজি তোমালৈ।

তোমাক বহুত দিনবপৰা ইয়াত দেখিছোঁ। কিন্তু তুমি কোন বা কি মই নাজানো। জনাত মোৰ প্ৰয়োজনো নাই। কিয়নো বাহ্যিক বা সাংসাৰিক সম্বন্ধ মই কোনো মানুহৰ সৈতে চিনাকি নাবাখোঁ। মোক চিনি পাবলৈ অকল অন্তৰৰ ৰূপটোহে; লাগে লৌযে বাটৰ কাষৰ দুমহলীয়া ওপবত, ফুলৰ টবকেটাবৈ সৈতে সৰু কোঠালিটো দেখি, সেইটোবেই মোৰ পঢ়া আৰু শোৱা ঘৰ। তাবে বাবাণ্ডাপবা থিয়হি চাই মই গোটেই চহবখনবে মানুহ

বোৰ দেখোঁ। কোনোটি লুভীয়া, কোনোটি কামুক, কোনোটি স্বাৰ্থপৰ, কোনোটি প্ৰেমিক, কোনোটি এনেই বতাহত উটি যুবা। এনেকে সদায় মই লানি নিছিগা মানুহৰ অদ্ভুত ৰূপবোৰলৈ চাই থাকোঁ। কেতিয়াবা হঠাৎ তাবে এজনৰ ওপবত মোৰ চকুটো বৈ যায়। আৰু তেনেকৈ দুই এদিন চাওঁতে চাওঁতে মোৰ একেবাৰে চিনাকি হৈ পৰে। ধৰি লোৱা তোমাৰ কথাকেই। প্ৰথম যিদিনা তোমাক দেখোঁ, সেই দিনা গধূলি আচম্বিতে কৰবাৰপৰা এজাউৰি ভীষণ বৰষুণ আহি পৰিছিল। সুন্দৰকৈ সাজি কাছি বেহ-কপ লগাই ফুৰিবলৈ ওলাই অহা মানুহবোৰৰ বিনৈ চাবলৈ মই বাবাণ্ডালৈ ওলাই আহিছিলোঁ, আৰু চাই চাই পাৰো মানে হাঁহিছিলো। এনেতে হঠাতে দেখিলো তুমি তিতি-বুৰি বাটেৰে আহিব লাগিছা। তোমাৰ সেই খোজ কঢ়াৰ ৰূপটো দেখিবেই মই মুগ্ধ হৈ গলো। তাত যেন বেগৰ অশোভন থকা-মকা একো নাই, নাইবা বতৰৰ ওপবত খঙৰ গালি সপনি বা ভ্ৰুকুটি একো নাই। সুন্দৰ স্নিগ্ধ মাৰ্জ্জিত ভাবেৰে যেন তুমি ববষুণৰ পানীৰ সেই অত্যাচাৰ মুৰ পাতি লৈছিলা। মুখত যেন অলপ মৃদু হাঁহি, ভৰিৰ চলনত যেন অলপ লাজ শঙ্কোচ। জানিবা তুমি বিয়াৰ দিনাখনহে নোৱনিৰ পানীখিনি মুৰত তুলি লব লাগিছা। মোৰ চাই যেন বৰ ভাল লাগি গল। ইচ্ছা হল আকৌ যেন তোমাৰ মুৰৰ ওপৰত মগো কিছুমান পানী ঢালি দিওঁ। নাইবা নামি গৈ তোমাৰ সোণৰ চছমাৰ ওপৰত টোপা-টোপে বৈ পৰা চুলিৰ পানীখিনি মছি দিওঁগৈ। কিন্তু ভাল লাগিলেই জানো সকলো কথা কৰিব পাৰি। বিশেষকৈ আমাৰ ছোৱালীবোৰৰ সকলো কামতে ইমান বাধা। সেই কাৰণেই মই ছোৱালী জীৱন ইমান বেয়া পাওঁ। তাতে আকৌ মোৰ ওপৰত ঘৰৰ শাসনৰ ইমান দৌৰাঙ্গা, বিশেষকৈ মাহীৰ। মাউৰা ছোৱালী বুলি মাহীয়ে কিন্তু মোক বৰ মৰম কৰে। ইমান ডাঙৰলৈকে কষ্ট পাম বুলি মোক আজিলৈকে ভাত বান্ধিবলৈ শিকোৱা নাই। চাচ, জলপান কৰিবলৈ মই নিজে নিজেহে শিকি লৈছোঁ। কিন্তু চুবা-চকা সম্বন্ধে মাহী বৰ কাৰা। ছিনেমা, থিয়েটাৰ নৈপাৰ এইবোৰ দুৰৰ কথা এনেকি আগিবাটলৈও যেন ওলাবলৈ দিব নোপোজে। সমনীয়া মত লৰাৰ কথা দুৰতে থ'ক আনকি যেই সেই লগৰ ছোৱালীৰ লগতো কথা পাতিবলৈ নিদিয়ে। সেইদেখি মোৰ মনত বৰ দুখ আৰু খং। কিন্তু তথাপি পৰৰ অধীনত আছোঁ যেতিয়া সকলো মানি চলিবই লাগিব। ঈশ্বৰে আমাক যতে বাখে ঠিক সেইভাৱেই চলা উচিত। নহয় জানো?

৫।৭।৩৫

* * * * কালি লিখা চিঠিখন ঠিক তেনেকৈয়ে থাকিল। ঠিকনাৰ অভাৱত পঠিয়াব নোৱাৰিলো। কিন্তু ঠিকনা বা লাগিছে কেনে? তুমি দিনে দিনে মোৰ বৰ আপোন হৈ আছিহা। আজিকালি তোমাক মই মোৰ অন্তৰৰ বৰ ওচৰত যেন পাওঁ। যেন তোমাৰ কথাখিনি মই শুনো, মোৰ কথাখিনি তুমি শুনা। অন্তৰৰ ব্যৱধান একোৱেই নাই। তুমি যেতিয়াই আমাৰ ঘৰৰ আগেদি যোৱা, মই এতিয়া ঘৰৰ ভিতৰত বহি থাকিলেও নোচোৱাকৈয়ে কব পাৰো। তোমাৰ জোতাৰ, ছেণ্ডেলৰ পামছুৱ, সকলোৰে শব্দ মই এতিয়া বিধে-বিধে কব পাৰো। তোমাৰ মুখৰ মাত বা গল হেকেবণি হাজাৰ মানুহৰ মাজত থাকিলেও মই এতিয়া চিনি উলিয়াব পাৰিম।

যক, আজি আৰু বেছি নিলিখোঁ। মোৰ গাটো বৰ ভাল নহয়। বাতিপুৱাবপৰা অলপ জৰ জৰ লাগিছে। মই ছোৱালীসুলভ সকৰেপৰা বৰ কণীয়া। চাৰি বছৰ বয়সত যেতিয়া আই চুকায় কোনেও ভবা নাছিল যে মই বাচি থাকিম। কিন্তু মোৰ বুঢ়ী আইৰ যত্নত আৰু অশেষ মৰমত মই জী থাকিলোঁ। সেই বুঢ়ী আয়ে মোক এঘাৰ বছৰ বয়সলৈকে টোপোলা বান্ধি কোলাত সুমাই লৈ আছিল। আজিও যেতিয়া বুঢ়ী আইৰ কথা মনত পৰে মই হুকহুকাই নাকান্দি থাকিব নোৱাৰোঁ। ষোল্ল বছৰলৈকে কোনোবাই তেওঁৰ কথা মনত পেলাই দিলেই মই সকলোৰে আগত কান্দি পেলাইছিলোঁ। কিন্তু এতিয়া ডাঙৰ হৈছোঁ, তেনেকৈ কান্দিবলৈ লাজ লাগে। এতিয়া তেওঁৰ কথা মনত পৰিলেই মই মোৰ কোঠালিলৈ সোমাই যাওঁ, আৰু দুৱাৰঘৰ বন্ধ কৰি লৈ আন্ধাৰত তেওঁৰ

ছবিখন মনলৈ আনো, আৰু বিছনাত দীঘল দি পৰি পাৰোমানে কান্দি বুকুত সাবটি লৈ গাৰুবোৰ চকুৰ পানীৰে তিয়াই পেলাওঁ। এনেকি কেতিয়াবা টোপনিৰ মাজতো মনত পৰিলে মই কান্দি মূৰৰ গাৰুবোৰ ওপচাই পেলাওঁ। তাৰ পিছত পাঁচ বছৰ বয়সত এবেলি মই উজুটি খাই এছটা শিলৰ ওপৰত বুকু পাৰি পৰি গৈছিলোঁ। তাৰে বিষ এতিয়াও মোৰ মাজে মাজে বুকুৰ ভিতৰত উঠে। কত দৰৱ কত মালিছ আজিলৈকে ব্যৱহাৰ কৰিলোঁ, তাৰ অলপো ফল নধৰিলে। ডাক্তৰে কৈছে এই বুকুৰ বিষ মোৰ চিৰ দিন এইভাৱে ৰৈ যাব। তাৰ পিছত বাৰ বছৰ বয়সত মোৰ 'এপেণ্ডিছাইটিছ'ৰ বেমাৰ হয়। ঈশ্বৰৰ কৃপাত অপাৰেশ্যন নকৰাকৈয়ে মই ৰক্ষা পাওঁ। কিন্তু লিভাৰৰ বিষে আজিলৈকে মোক এৰা নাই। কেতিয়াবা লিভাৰৰ বিষত ইমান অস্থিৰ হৈ পৰোঁ যেন মনে ধৰে মোৰ উশাহ-নিশাহ বন্ধ হৈ যাব। সৰুৰেপৰা কেৱল মই মাত্ৰ এক সন্ধ্যা ভাত খাওঁ, ৰাতিৰ মাজত মাত্ৰ গাখীৰ আৰু ফলমূল খাই থাকোঁ। মোক এই খোৱাত অৰুচি দেখি মাহীদেৱে সদায় মোক গালি পাৰে। ভিতৰত ইমান ৰুগীয়া হলেও বাহিৰত কিন্তু কোনেও মোক ইমান ৰুগীয়া বুলি কব নোৱাৰে। এনেকি দীঘলে ডাঙৰে আৰু পঢ়াশুনাতো মই লগৰ সকলো ছোৱালীকে ছেৰ পেলাইহে গৈছোঁ; মোৰ সমান বয়সীয়া ছোৱালীবোৰে এতিয়া বেছি ভাগেই ক্লাছ ফাইভ্ আৰু ছিক্সৰ ভিতৰতেই আছে। মই কিন্তু যোৱা বছৰতেই মেট্ৰিক দিয়াৰ কথা আছিল। অকল বয়স পোন্ধৰ বছৰৰ কম দেখিহে, স্কুলৰ মাষ্টৰ আৰু ঘৰৰ সকলোৱে মোক পৰীক্ষা দিবলৈ নিদিলে। * *

৭।৭।৩৫

* * সিদিনা চিঠিখন নিদি বৰ ভাল কৰিলো। আজি একে লগে ইমানবোৰ কথা তোমাৰ বিষয় মই জানিব পাৰিলো। বাস্তবিকে মোৰ লাজ লাগিছে যে ইমান দিনে মই তোমাক তুমি বুলি সম্বোধন কৰি আছোঁ। যিহক এবাৰ যেতিয়া আপোন কৰি লৈছোঁ, আৰু তোমাক পৰ নকৰো। মই জনাই নাছিলো যে তুমি বি,এ, পাছ আৰু স্কুলত মাষ্টৰী কৰা। ভাবিছিলো বৰ জোৰ তুমি বোধকৰো কলেজত পঢ়িব পাৰা; বন্ধত ইয়ালৈ ফুৰিবলৈ আহিছা। তাৰ পিছত তুমি যে এজন লিখক, সাহিত্যিক তাক তোমাক দেখিলে কোনে কব—তুমি দেখাত নিচেই ল'ৰামতীয়া। যি হওক তোমাৰ চকুত যে অলপ কবিতাৰ আভাস আছে, মই তাৰ আগেয়ে গম পাইছিলো। ইচ্, মোৰ কি ভাগ্য তোমালৈ চিঠিবোৰ পঠিৱা নাই! তুমি চাগৈ দেখি হাঁহিলাহেঁতেন কি ভাব, কি ভাষাৰ নমুনা। কিন্তু যি হলেও সৰুৰেপৰা কিবাকিবি লিখিবলৈ হলে মোৰ বৰ মন। মাজে মাজে বক্তৃতা দিবলৈও বৰ ইচ্ছা হয়। সিদিনা স্কুলত শঙ্কৰদেৱৰ তিথিত মই এখন ৰচনা লিখি পঢ়িছিলো। মিটিঙত সকলো স্কুলৰ মাষ্টৰ মাষ্টৰণী ছোৱালীৰে ঘৰ ভৰি গৈছিল! মোৰ কিন্তু অকণো ভয় লগা বা পঢ়াত খোকোজো লগা নাছিল। পঢ়ি উঠি নিজে নিজেই আনন্দত মই থাকিব নোৱাৰা হৈছিলো। ভাবিছিলো ভবিষ্যতে আৰু ডাঙৰ মিটিঙত নিলিখাকৈয়ে কব পাৰিম। দেশৰ কাম কৰিবলৈ মোৰ সৰুৰেপৰা বৰ ইচ্ছা আছে। যদি শেষলৈকে মোৰ ইচ্ছামতে চলিব পাৰো, মই বি, টি পঢ়ি মাষ্টৰণী হম। কাৰণ মোৰ জীৱনৰ যিবোৰ উদ্দেশ্য, সংসাৰত সোমালে তাৰ অলপো সমাধা কৰিব নোৱাৰিম। * *

৭।৭।৩৫

পিছৰ।

* * আজিয়েই মই তোমাৰ লিখা ছপা হোৱা আলোচনী এখন আনি পঢ়িলো। তোমাৰ সেই বিধবাৰ অন্তৰৰ দুখৰ কথা খুলি লিখা গল্পটো মই গধূলিৰপৰা উৰাই-ঘূৰাই দহ বেলিমান পঢ়ি শেষ কৰিলো। যিমানেই পঢ়ো যেন সিমানেই পঢ়িবলৈ মন যায়। তাৰ প্ৰতিটো শব্দৰ লগে লগে তোমাৰ যেন মুখচ্ছবি আৰু বচন ভঙ্গিবোৰ ফুটি উঠি কথাবোৰ আৰু বেছি অৰ্থপূৰ্ণ কৰি তোলে। আজি কলৈকো ফুৰিবলৈও ওলাই নগলো। এতিয়ালৈকে হাতভৰি ধুই আহি পঢ়াৰ টেবুলতো বহা নাই। বাৰাণ্ডাত বহি আকাশত নতুনকৈ উঠিব ধৰা আজিৰ পূৰ্ণিমাৰ প্ৰকাণ্ড জোনটোলৈ চাই আছোঁ। আজিয়েই যেন জীৱনত আটাইতকৈ বেছি অব্যক্ত বেদনা মই অনুভৱ কৰিছোঁ। ইমান ডাঙৰ জোন,

ইমান বহল আকাশ, ইমান বিশাল পৃথিৱী, কিন্তু অন্তৰৰ চাৰিও পিনে ইমান বাধা, কেৱল বাধা। সেইদেখি মনতে ভাবিছোঁ যে যদি তোমাক ওচৰত পালোহেঁতেন, কিজানিবা তোমাক এই অন্তৰৰ জ্বালা বুজাই কব পাৰিলোহেঁতেন। হয়তো তুমি তাকে বুজি মোক অন্তৰত অলপ সান্ত্বনা দিব পাৰিলাহেঁতেন। কিয়নো বিধবাৰ অন্তৰৰ ব্যথা যদি তুমি বুজা, মোৰ নুবুজিবা কেলৈ? ইস্ ছোৱালীৰ জীৱন কি দুখৰ! তাক আনে বুজিলেও মাহীয়ে নুবুজে। সেই গুণেই মাহীৰ ওপৰত মোৰ ইমান খং। আজি গোটেই দিনটো কাজিয়া কৰি কথা পতা নাই। কোনে বাৰু পদে পদে ইমান আঙুলিৰ নিৰ্দ্দেশ মানিব পাৰে। মোৰ কৰিবলৈ মন নগলে কোনেও মোক জোৰ কৰি একো কাম কৰাব নোৱাৰে। যি মন যায় তাকে কৰিম, যি মন নাযায় তাক নকৰো। মই বৰ জেদী ছোৱালী। হায়, মোৰ যদি নিজৰ আই বোপাই থাকিলাহেঁতেন, তেনেহলে কেতিয়াও মই এই দৰে নাথাকিলোহেঁতেন। সেয়েহে মোৰ মনত বৰ দুখ। এনেকি আনৰ লৰাছোৱালীক সিহঁতৰ মাক বাপেকে মৰম কৰা দেখিলে মই হিংসাতে থাকিব নোৱাৰো। মই যি মৰম জীৱনত কোনো দিনে পোৱা নাই তাক আনে পোৱা দেখিলে মই ঈৰ্ষাতে পুৰি মৰো। সেইদেখিয়েই মোৰ তোমাক এইবোৰ কথা কবলৈ মন যায়। আৰু বেছিকৈ মন গৈছে আজি এই সন্ধিয়া। আহাঁ, তুমি মোৰ আৰু ওচৰলৈ আহাঁ, মোক প্ৰাণভৰি মৰম কৰা। তোমাৰ মৰম পালে জীৱনত আৰু মোক কাৰো মৰম নালাগে। তোমাৰ হব পাৰিলে জীৱনত আৰু মই কাৰো হবলৈ ইচ্ছা নকৰো। এই মোৰ প্ৰাণৰ আৰু অন্তৰৰ লুকোৱা কথা। মোক বিশ্বাস কৰা, মই তোমাক প্ৰাণ ভৰি বিশ্বাস কৰো। তোমাক যিমান বিশ্বাস কৰো, বোধকৰো জীৱনত কোনো দিনে নিজৰ কোনো ঘৰৰ মানুহকো কৰা নাই। সিহঁতে মোৰ প্ৰাণৰ কান্দোন নুবুজে। মই প্ৰয়োজন হলে সিহঁতৰ সকলোকে এৰি তোমাৰ ওচৰলৈ গুচি যাবলৈ সাজু আছোঁ। তুমি যদি কোৱা মই এতিয়াই সকলো বিসৰ্জ্জন দি স্বাধীন হবলৈ ওলাব পাৰো। বন্ধনৰ শৃঙ্খলত মোৰ গোটেই শৰীৰ বিষাই উঠিছে। আৰু এক দণ্ডৰ কাৰণেও মই লোহাৰ পিঁজৰাত থাকিবলৈ মন মোৰ নাই।

১০।৭।৩৫

* * মোৰ বৰ লাজ লাগে। চিঠিবোৰ সদায় লিখোঁ, কিন্তু লিখিহে থওঁ, এদিনো হলে দিয়া নহয়। দিবৰ সময়ত যেন কিবা এৰাব নোৱাৰা এটি লাজে মোক আগুৰি ধৰে। তুমি জানোবা আকৌ কি ভাবা, এই বুলি। যক, মনত আৰু বেছি দুখ নকৰোঁ। সংসাৰত সকলোৱে দুখ বা সুখলৈ ওপজে। মই দুখলৈ ওপজিছোঁ যেতিয়া এতিয়া আপত্তি কৰিলে কি হব। ঈশ্বৰে আমাক যি অৱস্থাতে ৰাখে তাকেই তুমি বা মই সকলোৱে মানি লব লাগিব। টবৰ ফুলৰ দৰে মই টবৰ ভিতৰত উপজিছোঁ, সেই অৱস্থাতে মই সন্তুষ্ট থাকিব লাগিব। পাখী যেতিয়া মোৰ জনমৰ পৰা বান্ধি থোৱা এতিয়া উৰিবলৈ বিচাৰিলে, উৰিব পাৰিম কেনেকৈ?

১২।৭।৩৫

পুৱা।

* * "আজি বহুত দিনৰ মূৰত তোমাক দেখি সঁচাকৈ মনত বৰ দুখ লাগিল। তুমি ইমানখিনি খীণাই গৈছা। বোধহয় নিশ্চয় কিবা অসুখ। কিন্তু মই কৰিম কি? উপায় যে নাই! ইমানবোৰ বাধা। ইচ্ছা হয়, এতিয়াই তোমাৰ ওচৰলৈ লৰি যাওঁ আৰু তোমাৰ শুশ্ৰূষা কৰোঁ। কিন্তু জানাইতো সমাজেতো নামানিব। যদি ল'ৰা হলোঁহেঁতেন গোটেই দিনটো তোমাৰ ওচৰত বহি তোমাৰ সেৱা কৰি থাকিব পাৰিলোঁহেতেন। যাওক, এতিয়াও তোমাৰ কাৰণে এটি কাম কৰিব পাৰোঁ, সেইটি হৈছে প্ৰাৰ্থনা। মই সদায় ৰাতিপুৱা গা ধুই উঠি ঈশ্বৰক প্ৰাৰ্থনা কৰো। সঁচাকৈ কৈছোঁ, জীৱনত মই তাৰেপৰা বহুত উপকাৰ পাইছোঁ। * * "

গধূলি।

* * আজি আবেলি বহুত মানুহ আমাৰ ঘৰলৈ খাবলৈ আহিব। মোৰ নুমলী নীলুৰ আজি জনমদিন। মোৰ ইচ্ছা তুমি যদি আজি তাত থাকিলাহেঁতেন। যি পৰ তাক হলে মই খুৱাব পাৰো কিন্তু যি আপোন তাক

এদিনো মোৰ নিজ হাতে খুৱাবৰ শক্তি নাই, এয়ে মোৰ ভাগ্য !

১৫।৭।৩৫

* * বাস্তৱিকে স্কুলৰ ল'ৰাবোৰ কি দুষ্ট। সিহঁতৰ ইমান সাহ দেখিলেই তবধ মানিব লাগে। সঁচাকৈ সত্যেন লৰাজন ইমান পাৰ্গত বুলি আগেয়ে মই নাজানিছিলো। পঢ়াই শুনাই ভাল, সুন্দৰ স্বাস্থ্য-পানী, গান গায়, ফুটবল খেলে, ছিনেমা চায়, কিন্তু লগতে ইমান প্ৰেমিকো যে তাকেহে নাজানিছিলো। অৱশ্যে প্ৰতিমাই এদিন কৈছিল যে অমলাৰ লগত সত্যেনৰ তলে তলে বহুত দিনৰপৰা চিঠি দিয়া দি আছে, সেই কাৰণে সি অইন ছোৱালীলৈ চকু নিদিয়ে। কিন্তু আজি সি যি কৰিলে, বুজিব পাৰিছোঁ অকল সি লুকাই চিঠি দিয়া নহয় আৰু বহুত কাম কৰিব পাৰে। সি যিয়ে নহক ল'ৰাজনৰ কিন্তু এৰাব নোৱাৰা এটি আৰ্কষণী শক্তি আছে, তাক অস্বীকাৰ কৰিব নোৱাৰি।

স্কুলৰপৰা আহোঁ আমি। সিহঁত আহে পাছে পাছে। স্কুলৰ লৰাবোৰৰ কি দস্তুৰ, যিমানেই ছহৰত বাট থাকক, ছোৱালীবোৰ স্কুলৰ যিটো বাটে আহে, সেই বাটেৰেই যেন অকল সিহঁতে অহা-যোৱা কৰিব পাৰে। লগৰ ছোৱালী এটি এটিকৈ ঘৰে ঘৰে নাইকিয়া হল। এবেলি পাছলৈ ঘূৰি চাওঁ নিচেই কাষতে মাত্ৰ সত্যেন। লগত মোৰ অৰু নীলু আৰু, কোনো নাই। গধূৰ এলজাব্ৰাৰ কিতাপখন কোনোমতে কিতাপৰ ওপৰত থাকিব নোখোজে। তাতে আকৌ সিদিনা জিঅ'গ্ৰাফি আঁকিবলৈ নিয়া ইন্‌ষ্টৰুমেণ্টৰ বাকছটোৱে আৰু পিছলা-পিছলি লগাইছিল। মুৰ ঘূৰাই চাই হাতখন লৰাইছোঁহে মাথো, এনেতে অৰুৰ ছাতিত খুন্দা খাই, গোটেইখিনি পৰি যোৱা যেন কৰিলে। কিন্তু পৰিল অকল মাটিত আপদীয়া এলজাব্ৰাখন। এনে কামত সকলোৰে অলপ লাজ লাগে। ময়ো অলপ লাজকুৰীয়াকৈ সত্যেনৰ পিনে চাই অৰুক কিতাপখন তুলিবলৈ হুকুম দিলো। সত্যেনক তেতিয়া পায় কোনে। হাঁহি আগবাঢ়ি আহি কিতাপখন তুলি আনি আগত মোৰ ধৰিলেহি—জানিবা দেৱী পূজাৰীহে অৰ্চ্চনাৰ থাল এখন লৈ। ভদ্ৰতা ৰাখি অলপ সৰুকৈ হাঁহি কলো, "আপুনি মিছাকৈ কষ্ট কৰিলে, মই নিজে তুলি লব পাৰিলোহেঁতেন।" অলপ অভিনয়ৰ ধৰণে মুৰ জোকাৰি হাঁহি এটি মাৰি সত্যেনে কলে, "নহয় মোৰ অলপ নিজৰ স্বাৰ্থ আছে, সেইদেখিছে কিতাপখন তুলিছোঁ, যদি বেয়া নাপায় আজিৰ কাৰণে কিতাপখন মই ঘৰলৈ নিব খোজোঁ।" এনেয়ে সাধাৰণভাৱে প্ৰশ্ন কৰিলো,—"কেলৈ ?" কলে, "দেখিছো আপোনাৰ কিতাপখন অলপ নতুন এডিশ্যনৰ। মোৰখনত পাছৰ ফালে য়ুনিভাৰ্ছিটিৰ প্ৰশ্নবোৰ আটাইখিনি দিয়া নাই, তাকে অলপ লিখি লওঁ বুলি ভাবিছো।" যাবৰ সময়ত কলো, "ভাল তেনেহলে, আপোনাৰ যেতিয়াই হয় মোক তেতিয়াই দি যাব, মোৰ ঘৰত আৰু এখন পুৰণি এলজাব্ৰা আছে।" বেছি দিন আৰু ক'ত হয়, তাৰ পিছদিনাখনেই স্কুলৰ পৰা আছোঁতে বাটত চাওঁ সত্যেন। কিতাপখন আগবঢ়াই দিয়েই আঁতৰি গৈ কলে, "আপোনাৰ উপকাৰৰ কাৰণে বহুতো ধন্যবাদ। অনুগ্ৰহ কৰি ১৫২ পৃষ্ঠাত যেন এবেলি খুলি চায়। এটা দৰকাৰী অঙ্ক মই দাগ দি থৈছোঁ।" পৰীক্ষাৰ সময়ত সকলোৱে প্ৰশ্ন বিচাৰি ফুৰে। ভাবিলো বোধকৰো লৰাৰ স্কুলৰ হেড মাষ্টৰে কিবা "প্ৰবেৰল্ কোৱেশ্চন" বাচি দিছে। গতিকে ততাতৈয়াকৈ আশাৰে তেতিয়াই ১৫২ পৃষ্ঠাত মেলি চাই পেলালো। কিন্তু দেখিলো, ডাগ দিয়া অঙ্কৰ পৰিৱৰ্ত্তে তাতে এখন ভাঁজ কৰি থোৱা কাগজৰ গধুৰ চিঠি লুকোৱা আছে। খঙতে অলপ নাহাঁহি থাকিব নোৱাৰিলো। ভাবিলো, লৰাবিলাক কি দুষ্ট। বাস্তৱিকে ছোৱালীলৈ চিঠি দিয়া এই নতুন নতুন কায়দাবোৰ ইহঁতে শিকে ক'ত ? তেতিয়া সত্যেন আলিবাটৰ ভাঁজ এটি ঘূৰি একেবাৰে নেদেখা হৈছিল। * * *

১৫।৭।৩৫

ৰাতি, ১০॥ বজা।

মৰমৰ সত্যেন,

ভাবিছিলো তোমাৰ চিঠিৰ কোনো উত্তৰ নিদিম। বাস্তৱিকে তুমি কি দুষ্ট। ইমান ফাঁকি কৰি যে তুমি চিঠি দিব জানা মই আগেয়ে কব পৰা নাছিলো। সঁচাকৈ

তোমাৰ চিঠিখন পঢ়ি মই বৰ দুখ পালো। তাৰ প্ৰতিটো কথাই অন্তৰত যেন মোৰ এটি তোলপাৰ লগাই দি গৈছিল। তুমি কৈছা তুমি মোক দিনে নিশাই আঠো পৰে চাই থাকা। ৰাতিপুৱা কেতিয়া ফুলনিত ফুল তুলিবলৈ যাওঁ, দুপৰীয়া গা ধুই আহি কেতিয়া খিৰিকিৰ ওচৰত মুৰ ফণিয়াওঁ, গধূলি কেতিয়া স্কুলৰপৰা গৈ অৰ্গেন বজাওঁ, ৰাতি কেতিয়া লেমৰ পোহৰত বহি টেবুলত কিতাপ পঢ়ো, সকালো তুমি কব পাৰা। কিন্তু কোৱা, মই কি কৰিব পাৰো ? জানাইতো আমাৰ ছোৱালীবোৰৰ কিমান বাধা। তাতে মই আকৌ বেছি পৰাধীনা। লোকৰ ঘৰত থাকোঁ, চাৰিত্ত পিনে মোৰ বাধাৰ অন্ত নাই।

আজি আৰু তোমালৈ বেছি নিলিখোঁ। ৰাতি প্ৰায় এঘাৰ বজাৰ ওচৰ চাপিছে। ঘৰৰ আটাইবোৰে শুইছে, মই অকল সাৰে আছো। এতিয়া শুবলৈ যাম। বোধকৰো তুমিও ইমান পৰে শুই পাৰিছা। তোমাৰ মৰমৰ কথাবোৰ বুকুত সাবটি লৈ ময়ো জীৱনত আজি প্ৰথম দিনলৈ অলপ শান্তিৰে সৈতে শুই পৰিম। মোৰ অন্তৰৰ অশেষ ভালপোৱা তুমি লবা আৰু দিবা।

পুঃ—যিটো চাকৰৰ ল'ৰাৰ হাতত মই চিঠি দি পঠিয়াম তাৰে হাতত তুমি উত্তৰ দিব পাৰিবা। সি মোৰ বৰ বিশ্বাসী। নহলে কেতিয়াবা তুমি মোৰ ভনী অৰুৰ হাততো চিঠি দিব পাৰা। তাইক মই আগৰপৰাই কৈ থম। কিন্তু ডাকত যেন তুমি কেতিয়াও চিঠি নিদিয়া। কিয়নো লোকেল পোষ্টৰ ছাপ দেখিলে মোহাদেৱে চিঠিবোৰ খুলি পঢ়ে। মোহাদেউ বৰ খঙাল।

২২।৭।৩৫

ৰাতি বাৰ বজা।

* * * আজি বহুত দিন হল তোমাক আৰু নেদেখোঁ। শুনিছোঁ এতিয়াও হেনো আছা। মোৰ সময়বোৰৰ আজিকালি অলপ পৰিৱৰ্ত্তন হৈ গৈছে, সেয়েহে বোধকৰো তোমাক আৰু দেখা নাপাওঁ। কিন্তু এদিন যাক প্ৰাণভৰি ইমান ভাল পাইছিলো, তাক ইমান সোনকালে পাহৰি যাওঁ কেনেকৈ ? সেইদেখি বোধকৰো কালি ৰাতি সপোনত তোমাক দেখা পাইছিলো। বাস্তৱিকে তোমাক তেনেকৈ দেখি মোৰ বৰ ভয় লাগি উঠিছিল কাৰণ তেতিয়া প্ৰায় ৰাতি পুৱাওঁ-পুৱাওঁ। ছাৰে চাৰিটাত মোৰ ঘৰীৰ এলাৰ্ম বাজি উঠিছে মাত্ৰ। কিয়নো ঠিক পাচোঁটা বজাত সত্যেন আমাৰ ফুলনিৰ ওচৰলৈ অহা কথা, তাতে মই তাক লগ পাম। আজিকালি সেয়ে মোৰ ৰাতিপুৱাৰ প্ৰথম কাম। সত্যেন সদায় ৰাতিপুৱা আমাৰ ইপিনে ফুৰিবলৈ আহে। ময়ো অলপ ফুলনিত ফুৰো বুলি বাটৰ কাষলৈ ওলাই যাওঁ। তাতে দুয়ো পোহৰ নোহোৱালৈকে কথা পাতোঁ—কেতিয়াবা গাতে গা লগাই আমি দুয়ো বহুত সময়লৈকে ফুৰো। আজি মাথোন প্ৰথম বাৰ সি মোক বুকুত সুমুৱাই লৈ এবেলি চুমা খাইছিল। উস্ কি তপত সেই চুমাৰ স্পৰ্শ। মোৰ গোটেই গা এতিয়ালৈকে যেন ভিতৰি ভিতৰি পুৰি আছে। আৰু সেই ভিতৰৰ পোৰণিৰ জোৰতে যেন পৃথিবীত আজি মই সকলো কৰিব নোৱাৰা কাম কৰিব পাৰিম। তুমি হয়তো শুনি আচৰিত হবা, ঠিক এই অলপ পিছতে বাৰ বাজি যোৱাত মই কি কৰিবলৈ ওলাইছোঁ। মই আৰু ৰব নোৱাৰো। সৌ ঘৰৰ তলত সত্যেনৰ ভৰিৰ খোজৰ শব্দ মই শুনিবলৈ পাইছোঁ। এতিয়াই মই এই দোতালাৰ খোটালিৰপৰা নামি যাম। বাটত অকণো বাধা নাই। একমাত্ৰ প্ৰধান বাধা মোহাদেউৰ। "জুলু" কুকুৰটোক আজি মহেশক অলপ ভেটি দি আঁতৰাই পেলাইছোঁ। ভেটি অইন একো নহয় মোৰ হাতৰ আঙঠি এটা। ৰাতিপুৱা শুই উঠিলেই মাহীদেউক কম কালি দুপৰীয়া গা ধোওঁতে বাথ-ৰুমত মই সোলোকাই থৈছিলো, ঠিক মনত আছে। তাৰ পিছত পদুমীয়ে মোৰ কাপোৰ মেলি দিবলৈ বাথ ৰুমত সোমাইছিল, নিশ্চই তাইৰে কাম। * * "

৪।৮।৩৫

* * আজি ঠিক এমাহ হল, প্ৰথম তোমালৈ মই চিঠি লিখিছিলো। কিন্তু সেই দিন আৰু আজিৰ দিন কিমান বেলেগ। মোৰ কি ভাগ্য যে সেই চিঠিখন তোমালৈ পঠিওৱা নাছিলো। পঠিওৱা হলেইতো আকৌ সেই বিপদ হলহেঁতেন। বাস্তৱিকে কল্পনাৰ জগত আৰু বাস্তৱৰ জগত যে ইমান বিভিন্ন মই আগেয়ে নাজানিছিলো।

জানিম বা কেনেকৈ, আমাৰ অভিজ্ঞতাই বা কি ? এনেকৈ ঠেকত পৰিহে সকলো কথাকে পৃথিবীৰ মানুহে শিকে। কথাষাৰ তোমাক অলপ বুজাই কওঁ। ধৰা, আঁতৰবেপৰা তোমাক দেখি মই ভাল পাইছিলোঁ। ভাল পাই আঁতৰে আঁতৰে তোমালৈ মই চিঠি লিখিছিলো, প্ৰাণৰ কথাবোৰ খুলি কৈছিলো ; তাতে প্ৰাণত শান্তি পাইছিলো। কিন্তু তুমি সেই চিঠিবোৰ কোনো দিনে পোৱা নাছিলা। তাৰ উত্তৰত তোমাৰ কথা মই কোনো দিনে শুনা নাছিলো। গতিকে তোমাৰ প্ৰকৃত স্বৰূপটি মোৰ ওচৰত এতিয়াও অজানিত হৈয়েই আছে। তোমাক মই পোনতেই দেখি যি বুলি ভাবিছিলো, আজিও তুমি মোৰ মানত ঠিক সেই একেজনেই হৈ আছা। তোমাৰ কোনো পৰিবৰ্তন বা পৰিবৰ্ত্তন ঘটা নাই। যদি তোমালৈ আছলতে মই চিঠি দিলোহেঁতেন, যদি সঁচাকৈয়ে তুমি সেইবোৰ চিঠি পঢ়িলাহেঁতেন হয়তোবা তাৰ উত্তৰত তোমাক মই কিবা বিভিন্ন ধৰণে পালোহেঁতেন। হয়তোবা তাৰ পিছতো তোমাৰ আকৌ কিবা বেলেগ পৰিবৰ্ত্তন হৈ গলহেঁতেন। গতিকে যিজন মানুহক দেখি প্ৰথমতে মই ভাল পাইছিলো সেই মানুহজনক আজি দুনাই বিচাৰি নেপালোহেঁতেন। প্ৰায় এইটো দুৰ্ভাগ্যই সকলো ছোৱালীবোৰৰ জীৱনত ঘটে। সিহঁতে মাক দেখি প্ৰথমতে বলিয়া হয়, যথা সৰ্ব্বস্বকো বিসৰ্জ্জন দিয়ে, সমাজ ঘৰ সকলো এৰি আহে,—কিছুদিন একে লগে থকাৰ পিছত সিহঁতে দেখে সেই মানুহজন একেবাৰে নোহোৱা হয়। তেতিয়া অকল পুৰণি স্মৃতি লৈ সিহঁতে বেলেগ এজন মানুহৰ লগত দুখৰ জীৱন নিয়াৰ লগাত পৰে। ভাবি চোৱা সেইটো জীৱন কিমান দুখৰ। ঠিক সেইটো জীৱনেই মোৰ হবলৈ ওলাইছিল। কিন্তু ঈশ্বৰে মোক সময় থাকোতেই ৰক্ষা কৰিলে কাৰণ তুমি জানা, তোমাক মই কৈছিলো, ঈশ্বৰত মই বৰ বিশ্বাস কৰো, ঈশ্বৰক মই সদায় প্ৰাৰ্থনা কৰো, ঈশ্বৰে মোক বহু বিপদৰ পৰা ৰক্ষা কৰিছে। কথাষাৰ যদিও তোমাক মই কবলৈ ওলাইছোঁ, তথাপি মোৰ লাজ লাগিছে। তেও মই কম, কিয়নো তোমাক মই একোকে লুকাই নোৱাবো আৰু কথাষাৰ তোমাক খুলি নকলে মই মনত অকণো শান্তি নাপাম। তুমি জানা সত্যেনক মই ভাল পাইছিলো। সিও কৈছিল সি মোক প্ৰাণ শেষ কৰি ভাল পায়। আৰু সেই কথাতে বিশ্বাস কৰি মই তাক সন্তুষ্ট কৰিবলৈকে বিবেকৰ বিৰুদ্ধেও বহু নকৰিব লগীয়া কাম কৰিছিলোঁ। কাৰণ জানা, মৰমৰ এগেই ৰীতি, মৰমৰ বলিয়া হলে সকলো ছোৱালীয়ে তাকে কৰে। কিন্তু পুৰুষবোৰ ইমান নীচমনা! মৰমৰ বিষয়তো সিহঁতে কেনেকৈ মিছা কথা কয় মই কব নোৱাবো। সত্যেনে সদায় আছে, সদায় কয়, সি জীৱনত মাথোন জানে একে জনী ছোৱালী আৰু সেয়ে মই—তাৰেই কাৰণে সি জীৱনৰ সকলো অৰ্ঘ্য সাজু কৰি ৰাখিছে। মঘো বুজিছিলো তাকেই, বিশ্বাস কৰিছিলো সেই বুলি। আৰু মঘো কৈছিলো জীৱনত তোমাৰেই প্ৰথম মই—মৰম পাইছিলো আৰু পাম, তাকে পালে আৰু মোক একোকে নালাগে। আমি সদায় লুকাই লগ ধৰো, সকলোবে চকুত ধূলি দিওঁ ; কিন্তু তথাপি চুচা চিঠি লিখো। দুখন চিঠিৰ মুবত সত্যেনৰ চিঠি আহিব লগীয়া আছিল। উত্তৰলৈ বাট চাই মই অলপ অস্থিৰ হৈ পৰিছিলো। থাকিব নোৱাৰি আগবাঢ়ি আনিবলৈ চাকৰ লৰাটোক পঠিয়াই বাট চাইছিলো। সি আহিল, চিঠিখন আনি মোৰ হাতত দিলে, মই খুলি পঢ়িলোঁ। সেই একে লেফাফা, একে ৰঙৰ কাগজ, একে লিখা, একে ভাষা, কিন্তু ওপৰত লিখা আছে, "প্ৰাণৰ অমলা।" ফাঁকি বুলি সন্দেহ কৰি চাকৰ লৰাটোৰ কাষলৈ লৰি গলোঁ, সুধিলো চিঠিখন কত পালি ? সি কলে, সত্যেন বাবুৰ গেডৰ ভিতৰত, তেওঁ নিজ হাতে উলিয়াই দিছিল, অৱশ্যে তাবে লগত আৰু কেবাখন চিঠি থকা সি দেখিছিল। সেয়েহে কৈছো কল্পনাৰ মানুহ আৰু বাস্তৱ মানুহৰ ভিতৰত ইমান প্ৰভেদ। যি সত্যেনক দেখি মই দুৰবপৰা ভাল পাইছিলো, যি সত্যেনক সদায় মই আঁতৰৰ পৰা দেখিছিলোঁ, সেই সত্যেন এজন বেলেগ মানুহ, আৰু যি সত্যেনে এক সময়তে দুখত বহি দুখন প্ৰেমৰ চিঠি লিখিব পাৰে আৰু একে বকমে একেজনে দুজোনকে মৰম দেখুৱাব পাৰে, সিও এজন সম্পূৰ্ণ বেলেগ মানুহ। যাঁক প্ৰেমত ইমানকৈ ছলনা খাই মই অকণো পৰিতাপ

নকৰো বা তবল ছোৱালীৰ দৰে উদ্‌ভ্ৰান্ত হৈ আত্মঘাতী হবলৈ নাযাওঁ। কাৰণ মই জানো মোৰ হাজাৰ নিৰাশাত হাজাৰ অশান্তিত, হাজাৰ লাঞ্ছনাত একমাত্ৰ সম্বল তুমি আছা। আনে মোক ঠগিলেও তুমি মোক কেতিয়াও ঠগিব নোৱাৰা। ই মোৰ দৃঢ় বিশ্বাস। সেয়েহে কৈছো, তোমাকেই মই অকল জীৱনত ভাল পাম, তোমাকেই পূজা কৰিম, তোমাকেই মই অন্তৰৰ সকলো মৰম চেনেহ বিলাই দিম। কিয়নো তুমি সদায় মোৰ আঁতৰত ; তোমাক কেতিয়াও মই ওচৰত নাপাওঁ, তুমি সদায় মোৰ দূৰে দূৰে থাকিবা। তোমাৰ দুৰ্ব্বলতা, তোমাৰ নীচতা, তোমাৰ সকলো বেয়া গুণবোৰ মই কেতিয়াও চকুৱে নেদেখিম। তুমি সদায় মোৰ কল্পনাৰ আগত মাথোন এটি প্ৰেমৰ প্ৰতিমূৰ্ত্তি হৈ সদায় একেদৰে থাকিবা। সেই মূৰ্ত্তি নীৰস, চেঁচা, প্ৰাণহীন হব পাৰে কিন্তু অহুভৱ কৰিব পাৰিলে তাবো পৰশত এটি মাদকতা পাব পাৰি। আৰু তেনে এটি মাদকতাৰ অবিহনে চঞ্চল যৌৱন কেতিয়াও স্থিৰেৰে থাকিব নোৱাৰে। সেই কাৰণেই কৈছো, জীৱনত অকল তোমালৈহে মই চিঠি লিখিম, তোমাৰ আগতেই প্ৰাণৰ কথা খুলি কম, তোমাৰেই প্ৰেমৰ কামনা কৰিম, কিন্তু কেতিয়াও তোমাৰ কাষলৈ সেই চিঠিবোৰ নপঠিয়াম।

থক, আজিলৈ আৰু ইয়াৰ বেছি তোমালৈ নিলিখোঁ। ৰাতিপুৱাবেপৰা অৰ অৰ কবি গাটো বৰ বেয়া লাগিছে। তাতে আকৌ সেই আপদীয়া লিভাৰৰ বিষত আজি দুদিন হ'ল তত পোৱা নাই। আজি ৰাতি একো নাখাওঁ, অকল অলপ গাখীৰ আৰু ফল পালে খাই শুই থাকিম। আজি কেবাদিনবপৰা পঢ়া-শুনা একেবাৰে হোৱা নাই। কাইলৈ ৰীতিপুৱাবপৰা শুই উঠিছেই আকৌ আগৰ দৰে আৰম্ভ কৰিম। মাহীৰ লগত আৰু কাজিয়া নকৰো। মোৰ মতৰ লগত নিমিলিলেও মাহীয়ে কিন্তু সঁচাকৈয়ে অন্তৰেবে মোক বৰ মৰম কৰে। বেচেৰী পুত্ৰমী! তাইৰ কাৰণে মোৰ বৰ দুখ হয়।

এতিয়া আহিলো ; মোৰ হিয়াৰ অপবিদীম ভালপোৱা তোমালৈ পঠিয়ালো।

মোগল যুগৰ বিদুষী মুছলমান ৰমণী

জেইব-উন-নিছা বেগম

—মৌলবী মহম্মদ মুহিবুল্লা বি-এ, ই-এ-ছি

মাজ জামানাত অৰ্থাৎ মধ্য যুগত ভাৰতত যি কেই গৰাকী বিদুষী ৰমণীয়ে জন্ম গ্ৰহণ কৰিছিল, তেওঁলোকৰ ভিতৰত জেইব-উন-নিছা বেগম অগ্ৰগণ্য। মোগল যুগৰ ইতিহাসত আৰু সাহিত্যিকসকলৰ গ্ৰন্থত তেওঁৰ শিক্ষা, দীক্ষা, ন্যায়নিষ্ঠা আৰু নিৰ্ম্মল চৰিত্ৰৰ বহুতো প্ৰশংসা পোৱা যায়। জেইব-উন-নিছা প্ৰবল প্ৰতাপী মোগল বাদছাহ আওৰংজেবৰ প্ৰথমা কন্যা। তেওঁৰ মাক দেওৰত্ব-বানু-বেগম পাৰস্যৰ এজন অতি উচ্চ আৰু সম্ভ্ৰান্ত বংশৰ জীয়ৰী। জেইব-উন-নিছা বেগম দৌলতাবাদ দুৰ্গত ১৬৩৮ খৃষ্টাব্দৰ ২৫ ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰে।

জগদ্ব্যাপী পবিত্ৰ ইছলাম ধৰ্ম্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষ হজৰত মহম্মদে স্ত্ৰী, পুৰুষ সকলোকে এলম অৰ্থাৎ বিদ্যা অৰ্জ্জন কৰা ফৰজ অৰ্থাৎ অৱশ্য কৰ্ত্তব্য বুলি আদেশ দি গৈছে। বিদ্যা-শিক্ষাৰ নিমিত্তে চীন দেশলৈকো অৰ্থাৎ দেশ দেশান্তৰলৈ যাবলৈকো কৈ গৈছে। আৰু কৈছে বোলে যি বিদ্যা নিশিকে সি খোৱাকে চিনি নাপায়। এই

এল্‌ম বা বিদ্যা দুই ভাগে বিভক্ত—সাংসাৰিক আৰু আধ্যাত্মিক। ইছলাম ধৰ্ম্মশাস্ত্ৰজ্ঞসকলে খোদা-তত্ত্ব সম্বন্ধীয় জ্ঞানকে আছল জ্ঞান বুলি ধৰে। জেইব উন-নিছাৰ পিতাক সম্ৰাট আওৰংজেব কেৱল যে এজন ৰণ-কুশল সাহসী বীৰ পুৰুষ আছিল এনে নহয়, তেখেত এজন বিদ্বান আৰু ধৰ্ম্মশাস্ত্ৰতো পণ্ডিত আছিল। আৰু তেওঁৰ ধৰ্ম্ম শাস্ত্ৰৰ প্ৰতি অতিশয় সম্মান আৰু ভক্তি আছিল। তেওঁ এখন বিশাল সাম্ৰাজ্যৰ অধিপতি হৈয়ো বাহ্যাৰম্বৰ শূন্য ফকিৰী ধৰণৰ মানুহ আছিল। সেইদেখি তেখেতৰ প্ৰথমা কন্যা জেইব উন-নিছাৰ জীৱন পৱিত্ৰভাৱে গঠন কৰিবৰ উদ্দেশ্যে এই খোদা-তত্ত্ব জ্ঞানকে মুখ্য কৰি শিক্ষা দিয়াইছিল।

জেইব-উন-নিছাৰ চাৰি বছৰ বয়সতে আবজদ খানি অৰ্থাৎ কিতাপ ফলি দিছিল আৰু হাফেজা মৰিয়ম নামে এগৰাকী উচ্চ বংশৰ সৎস্বভাৱা শাস্ত্ৰপৰায়ণা শিক্ষয়িত্ৰী নিযুক্ত কৰি দিছিল। যি সকলৰ পৱিত্ৰ কোৰাণ মুখস্থ আছে সেই সকলক হাফেজ বুলি কয়। জেইব-উন-নিছাৰ শিক্ষয়িত্ৰীৰ কোৰাণ ছৰিফ মুখস্থ আছিল, আৰু সেইবাবেই তেওঁক হাফেজা মৰিয়ম বুলি কৈছিল। জেইব-উন-নিছা চোকা বুদ্ধিৰ আৰু স্মৰণ শক্তি থকা ছোৱালী আছিল। অতি অলপ দিনৰ ভিতৰতে কোৰাণ ছৰিফ পঢ়িবলৈ যি শিকিলেই এই হাফেজা শিক্ষয়িত্ৰীৰ মধুৰ শিক্ষা অলপ দিনৰ ভিতৰতে মুখস্থও কৰি পেলালে। আৰবী ভাষাৰ কোৰাণ ছৰিফ মুখস্থ কৰা সহজ কথা নহয়, আৰু শীঘ্ৰে কৰিবও নোৱাৰি। সেইদেখি বিদ্যোৎসাহী পিতা আওৰংজেবে জেইব-উন-নিছাৰ স্মৃতি শক্তিত মুগ্ধ হৈ ত্ৰিশ হাজাৰ সোণৰ মোহৰ বঁটা দি আৰু উৎসাহিত কৰিলে। তাৰ পিছত জেইব-উন-নিছা যিমানে ডাঙৰ হৈ আহিল সিমানেই পঢ়া-শুনাত মন বাঢ়ি আহিল। আৰু অৱশেষত আৰবী আৰু পাৰ্চী ভাষাত ব্যুৎপত্তি লাভ কৰিলে। বয়সৰ লগে লগে খোদা-তত্ত্ব জ্ঞানত মন দিবলৈ ধৰিলে। ইয়াৰ ফলত তেওঁৰ দুনিয়াৰ ধন দৌলতৰ ওপৰত, বাদশাহী জাক জমকতাৰ ওপৰত আৰু বিলাসিতাৰ ওপৰত বিতৃষ্ণা জন্মিল। কোৰাণ ছৰিফৰ নিৰ্দ্ধাৰিত বিধি অনুযায়ী নামাজ, ৰোজা ইত্যাদি আৰু আল্লাহ তালাৰ চিন্তাত মনোনিবেশ কৰিবলৈ ধৰিলে। আউলীয়া অৰ্থাৎ সিদ্ধ পুৰুষসকলৰ চৰিত্ৰ আলোচনাত আনন্দ লভিবলৈ ধৰিলে। প্ৰসিদ্ধ আউলীয়া ফৰিদুদ্দিন আত্তাৰ আৰু মহৰ্ষী মৌলানা ৰুমীৰ পথ ধৰি সাধনা আৰম্ভ কৰিবলৈ ধৰিলে আৰু অৱশেষত সাংসাৰিক বিষয়ত অনাসক্ত হৈ বিবাহ কৰিবৰ নিমিত্তে অনিচ্ছা প্ৰকাশ কৰিলে আৰু চিৰ কুমাৰী হৈয়ে জীৱন অতিবাহিত কৰিলে। কিন্তু সেইবুলি মানৱ প্ৰকৃতিৰ শ্ৰেষ্ঠ গুণবোৰ পৰিত্যাগ কৰি একেবাৰে বনবাসিনী কিম্বা গৃহত্যাগিনী হোৱা নাছিল। পৱিত্ৰ ইছলাম ধৰ্ম্মই দুনিয়া ত্যাগ কৰি ফকিৰ হৈ বনত বাস কৰি খোদা প্ৰাপ্তিতকৈ সাংসাৰিক জীৱনৰ মাজেদি বদ গুণক বিনাশ কৰি সজ গুণৰ বিকাশ কৰি খোদাক চিনাকেহে শ্ৰেষ্ঠ বুলি কয়। জেইব-উন-নিছাৰ ডাঙৰৰ প্ৰতি ভক্তি-শ্ৰদ্ধা, সৰুৰ প্ৰতি মৰম চেনেহ, দুখীয়াৰ প্ৰতি দয়া, মায়া পূৰামাত্ৰায় আছিল। তেওঁৰ যেতিয়া ১৯ বছৰ বয়স হয় তেওঁৰ তেতিয়া মাক দেলৰছ বানু বেগমে এমহীয়া। কেচুৱা লৰা আকবৰক ৰাখি মৃত্যু মুখত পৰে। যদিও তেওঁ চিৰকুমাৰী আছিল তত্ৰাচ মাতৃজাতিৰ স্বাভাৱিক মৰম-চেনেহৰ কোমল হিয়াখনি তেওঁৰপৰা দূৰ হোৱা নাছিল। তেওঁ এই কেচুৱা ভায়েকৰ লালন পালনৰ ভাৰ নিজে গ্ৰহণ কৰি সেই মৌসনা দয়া মায়াৰে ভৰপূৰ হৃদয়খনিক অতি মধুৰ কৰি তুলিছিল, আৰু এই মধুৰ হিয়াখনিৰ উদ্গণিতে মহাৰাজ যশোৱন্ত সিংহৰ লৰা বুলি গোপ তনয় এটিৰ ভৰণ পোষণো অতি সাদৰেৰে গ্ৰহণ কৰিছিল আৰু বহুত যত্ন আৰু আদৰেৰে প্ৰতিপালন কৰিছিল। দীন,দৰিদ্ৰ অনাথ, আতুৰ আৰু সহায়হীনৰ নিমিত্তে তেওঁৰ দৰবাৰ সদায় খোলা আছিল। তেওঁৰ বছৰেকীয়া বৃত্তি চাৰি লাখ টকা আছিল। আৰু জায়গীৰ আদিও পাইছিল। এই টকা আৰু জায়গীৰৰ আমদানী সকলো সৎকামৰ নিমিত্তে খৰচ কৰিছিল। তেওঁৰ দানশীলতা যেনে আছিল ক্ষমা গুণো তেনে আছিল। এদিন এজনী বান্দীয়ে তেওঁৰ পিতৃদেৱে দান কৰা এখন বহুমূল্য আয়না মাটিত পেলাই ভাঙিলে আৰু ভয়ত কঁপিবলৈ ধৰিলে আৰু কঁপি কঁপি তেওঁৰ আগত

হাজিৰ হৈ হাতযোৰ কৰি মাফ খুজিলে। জেইব-উন-নিছাই মিছিকীয়া হাঁহি এটি মাৰি কলে "যি বস্তুৰ দ্বাৰা নিজৰ ৰেহ-ৰূপ বঢ়োৱা যায় যেই বস্তু ভাগিল ভালেই হল।" কবিতা লিখা তেওঁৰ এটি দৈনন্দিন কাম আছিল। আৰু যেতিয়া যি ভাব ওপজে সেই ভাব তৎক্ষণাত নোটবুকত নোট কৰিছিল। এই নোটবুকবোৰক তেওঁ বহুমূল্য জ্ঞান কৰিছিল। এদিন এজনী বান্দীয়ে হৌজৰ পানীত পেলাই এনেকুৱা এখন নোটবুক নষ্ট কৰিছিল। জেইব-উন-নিছাই যদিও এই কথাত বৰ বেজাৰ পাইছিল তত্ৰাচ সেই বান্দীক একো নকৰি ক্ষমা কৰিছিল। জেইব-উন-নিছাৰ কেৱল মানুহৰ প্ৰতি দয়া মৰম আছিল এনে নহয় তেওঁৰ পশু পক্ষীৰ প্ৰতিও বৰ মৰম আছিল। তেওঁ এটি ভাটৌ পুহিছিল। এই ভাটৌটিক তেওঁ অতি যতনেৰে তুলিছিল। ই এদিন হঠাৎ মৰিলত তেওঁ চকুলো টুকিছিল আৰু এই বিষয় দূৰৈত থকা তেওঁৰ ভায়েকলৈ শোক প্ৰকাশ কৰি এখনি চিঠি লিখিছিল।

গদ্য পদ্য ৰচনাত জেইব-উন-নিছা সিদ্ধহস্ত আছিল। তেওঁৰ ৰচনাৰ ভাব অতি গধুৰ আৰু মহান আছিল। সেই কালৰ সাহিত্যিক আৰু কবিসকলে তেওঁক এজন বিখ্যাত কবি আৰু ৰচয়িত্ৰী বুলি অনেক প্ৰশংসা কৰি গৈছে আৰু প্ৰসিদ্ধ ঐতিহাসিক ইলিয়ট ছাহাবে আৰু প্ৰফেছাৰ ছৰকাৰ মহাশয়েও এই কথা সমৰ্থন কৰিছে। জেইব-উন-নিছা জ্ঞান চৰ্চ্চাত, কবিতা ৰচনাত আৰু আলোচনাত সদায় নিমগ্না আছিল। তেওঁৰ অন্তঃপুৰত কবিতাৰে আলোচনা হৈছিল। সেই দিনত, যি দিনত আজিকালিৰ নিচিনা ৰেল, মটৰ ইত্যাদি নাছিল আৰু যাতায়াতৰ বৰ অসুবিধা আছিল জেইব-উন-নিছাই নানা ঠাইৰপৰা নানা বিষয়ৰ কিতাপ সংগ্ৰহ কৰি মুন্সি ৰাখি লিখাই অনেক টকা পইছা খৰচ কৰি এটি ডাঙৰ কুতুবখানা অৰ্থাৎ লাইব্ৰেৰি কৰিছিল আৰু সেই কুতুবখানাৰ নিচিনা লাইব্ৰেৰি সেই দিনত আন ক'তো নাছিল।

ইতিপূৰ্ব্বে কোৱা হৈছে যে জেইব-উন-নিছা গদ্য, পদ্য ৰচনাত সিদ্ধহস্ত আছিল আৰু তেওঁৰ ৰচনা আৰু কবিতা অতি গধুৰ ভাবাপন্ন আছিল। তেওঁ বহুত কাব্য আৰু গ্ৰন্থ লিখি থৈ গৈছে, মোগল যুগত কোনো কোনো লিখকে নিজৰ নামে প্ৰকাশ নকৰি মখ্‌ফি (গুপ্ত) নাম দি বহুত গদ্য, পদ্যৰ গ্ৰন্থ লিখি থৈ গৈছে। জেইব উন-নিছা ইমান নামজাদা কবি আৰু লিখক আছিল যে তেওঁৰ জীৱিত কালত লিখা এই মখ্‌ফি বুলি আজি কালি বহুতে অনুমান কৰে। "দেওয়ান-ই-মখফি" নামক এখনি কবিতাৰ পুথিকে জেইব-উন-নিছাৰ লিখা কাব্য বুলি লণ্ডনৰ বৃটিছ মিউজিয়মৰপৰা প্ৰকাশ পাইছে আৰু লেডি ৱেষ্টব্ৰুক আৰু মগনলালে এই "দেওয়ান-ই-মখফিৰ" প্ৰথম ৫০টি কবিতাৰ ইংৰাজী "দেওয়ান-ই-জেইব-উন-নিছা।" নাম দি ১৯১৩ খৃষ্টাব্দত প্ৰকাশ কৰিছিল। কিন্তু তেওঁৰ লিখিত কোনো কাব্য বা গ্ৰন্থ পুস্তকাকাৰে প্ৰকাশ্যভাৱে ৰাখি থৈ যোৱাৰ কোনো ভাল প্ৰমাণ পোৱা নাযায়। কিন্তু তেওঁ যে ৰচনা আৰু কবিত্বত অতি উচ্চ স্থান অধিকাৰ কৰিছিল তাৰ বহুত প্ৰমাণ পোৱা যায়। তেওঁ অতি উচ্চ ধৰণৰ আৰু গভীৰ ভাবাপন্ন কবি আৰু ৰচয়িত্ৰী আছিল আৰু প্ৰশংসাও পাইছিল। এনেস্থলত তেওঁ নিজৰ নাম গোপন কৰি "মখফি" নাম দি কাব্য লিখি থৈ যোৱাৰ কোনো কাৰণ নাছিল। মোট কথা জেইব-উন-নিছাৰ সাংসাৰিক বিষয় বাসনাৰ নিমিত্তে কোনো আকাঙ্খা নাছিল। সংসাৰত কবি বা ৰচয়িতা বুলি নাম থৈ যোৱাৰো মতলব নাছিল। তেওঁ বিশাল সাম্ৰাজ্যৰ প্ৰতাপী অধিপতি আউৰংজেবৰ জেষ্ঠা কন্যা আছিল যেতিয়া তেওঁ ইচ্ছা কৰা হলে কিমান অভাৱনীয় অনুপম ভোগ বিলাসিতাত জীৱন কটাব পাৰিলেহেঁতেন, তাক আমাৰ নিচিনা মানুহে অনুমান কৰাই টান। তত্ৰাচ এনে জীৱন উপেক্ষা কৰি গোটেই জীৱনটো চিৰকুমাৰী থাকি ধৰ্ম্মৰ সেৱাত, খোদা তত্ত্বত জীৱন পৱিত্ৰভাৱে অতিবাহিত কৰিছিল আৰু ৬৪ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছিল। কোনো কোনো ইতিহাস লিখকে কয় যে জেইব-উন-নিছাই শেষ অৱস্থাত তেওঁৰ ভায়েক মহম্মদ আকবৰৰ লগত গোট খাই পিতাক সম্ৰাট আওৰংজেবৰ বিৰুদ্ধে ষড়যন্ত্ৰ

কৰিছিল আৰু এই ষড়যন্ত্ৰ ধৰা পৰাত আকৰৱ পণ্যায় আৰু জেইব-উন-নিছাৰ চাৰি লাখ টকাৰ বাৎসৰিক বৃত্তি আৰু জাঘগীৰ আদি বাজেয়াপ্ত হয় আৰু তেওঁ ছলিমগড় দুৰ্গত নজৰ-বন্দী হৈ থাকি ১৭০২ খৃষ্টাব্দত মৃত্যু হয়। কোনো কোনো ইতিহাস লিখকৰ মতে তেওঁ ২০ বছৰ নজৰবন্দীত আছিল। আৰু কোনো কোনোৱে মতে দুবছৰমানহে আছিল। কিন্তু সঁচাকৈয়ে জেইব-উন-নিছা এই ষড়যন্ত্ৰত লিপ্ত আছিলনে নাই তাক কোনেও প্ৰমাণাদিবে দৈতে দিবাংকৈ কব নোৱাৰে। ইতিপূৰ্ব্বেই কোৱা হৈছে যে তেওঁ আকবৰক লালন পালন কৰি ডাঙৰ দীঘল কৰিছিল আৰু তেওঁক নিজৰ পুত্ৰতুল্য জ্ঞান কৰি বৰ মৰম চেনেহ কৰিছিল। এই ষড়যন্ত্ৰ যেতিয়া আওৰংজেব বাদছাহ বুদ্ধাৱস্থাত নৰিয়াত শয্যাগত আছিল তেতিয়া ঘটিছিল। এই সময়ত তেওঁৰ পুত্ৰসকলৰ ভিতৰত দিল্লীৰ সিংহাসন লৈ এটি তোলপাৰ হয়। এনে অৱস্থাত যদি মাতৃতুল্য জেইব-উন-নিছাই আকবৰৰ নিমিত্তে বিশেষ সহানুভূতি দেখুৱাইছিল তেন্তে ই একো আচৰিত কথা হব নোৱাৰে। এই সময়ত তেওঁ আকবৰলৈ দিয়া কেইখনমান চিঠি পোৱা হৈছিল আৰু এই চিঠি কেইখনৰ দ্বাৰাই তেওঁ আকবৰৰ ষড়যন্ত্ৰত যোগ দিছিল বুলি ধৰিছিল। এই চিঠি কেইখনৰ মৰ্ম্ম কেবা ৰকমেও ব্যাখ্যা কৰিব পাৰি। কোনো কোনোৱে কয় এই চিঠি কেইখনৰ মতলব আকবৰক হুছিয়াৰ কৰি দিয়াটোহে আছিল। যেই হক জেইব-উন-নিছা যে ছলিমগড় দুৰ্গত নজৰবন্দী অৱস্থাত মৃত্যু হৈছিল এই কথা সত্য বুলি প্ৰমাণ পোৱা যায়। সেই বুলি তেওঁ যে সঁচা সঁচিকৈয়ে পিতাকৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল এই কথা কব নোৱাৰি। কিন্তু যেতিয়া জেইব-উন-নিছাৰ মৃত্যু হল আৰু এই খবৰ তেওঁৰ বৃদ্ধ পিতাকে পালে তেতিয়া তেওঁ বৰকৈ কান্দিছিল আৰু তেওঁৰ কন্যাৰ কহৰ বা আত্মাৰ শান্তিৰ নিমিত্তে বহুত টকা পইছা গৰীব দুখীয়াক দান কৰিছিল। আজিকালিৰ দিনত জেইব-উন-নিছা থকা হলে তেওঁৰ যশ-গোছনাম গোটেই পৃথিবীত বিয়পি পৰিলেহেতেন আৰু দেৱী স্বৰূপে আৰাধ্যা হ'লহেঁতেন।

কিন্তু অতি আফচোছ্ আৰু সন্তাপৰ বিষয় যে যি যুগত জেইব-উন-নিছা বিবাজ কৰিছিল সেই যুগৰ পৰৱৰ্ত্তী যুগৰ কোনো কোনো গল্প বা উপন্যাস লিখকে নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে হিংসা বিদ্বেষৰ পৰৱশ হৈ মাতৃ জাতিৰ এনে এগৰাকী তিৰোতাকো কলুষিত কৰিবলৈ কুণ্ঠিত হোৱা নাই। হায়, জামানা! মোগল যুগত এনেকুৱাও এটি সময় আহিছিল যি সময়ত মোগল সম্ৰাটৰ দিল্লীশ্বৰোবা জগদীশ্বৰোবা বুলি জ্ঞান কৰিছিল। কিন্তু সেই মোগল আমোল গল, সেই দিল্লীশ্বৰ বা জগদীশ্বৰৰ নাতি, পুতি, জীয়ৰীবীলকলক ইতিহাসৰ মুবত কুঠাঁয় মাৰি গল আৰু নাটকৰ গধনা লৈ তেওঁলোকৰ অনুপাতে অতি ক্ষুদ্ৰ পুৰুষকো নায়ক কৰি তেওঁলোকক নায়িকা সাজি বিশেষকৈ জেইব-উন-নিছাৰ নিচিনা সাধ্বী নিৰ্ম্মল চৰিত্ৰৰ ৰমণীকো জাতিভেদ নোহোৱাকৈ অনেকৰ প্ৰেমভিখাৰিণী কৰি দেখুৱাবলৈয়ো এফোঁৰিও দ্বিধা বোধ নকৰা হল! হায়, স্বাৰ্থান্ধ দাম্ভিক পুৰুষ! যিমান দিন তোমালোকে মাতৃজাতিৰ মান-ইজ্জত আদৰ-কদৰৰ মোল হুবুজিবা সিমান দিন তোমালোকৰ কল্যাণ নাই, তোমালোকে কেতিয়াও উধাৰ নোৱাবা। মাতৃজাতিৰ প্ৰতি যথোচিত সম্মানেই আজি ইউৰোপৰ উন্নতিৰ মূল।

যেতিয়াই সেই জেতা মোগলসকলৰ দিন গল, আন দিন সোমাল তেওঁলোকৰ সম্ৰাটসকলক, তেওঁলোকৰ ধৰ্ম্মক আৰু তেওঁলোকৰ একে ধৰ্ম্মাৱলম্বীসকলক হীন আৰু লঘু কৰিবৰ নিমিত্তে বিজেতাৰ মাজত যি এটা ঢৌ উঠিল সেই ঢৌটোৱে নানা পো-পোৱালি মেলি এতিয়া খলকনি লগাবলৈ ধৰিছে। ইহঁত যে কিহত বিলীন হয়গৈ তাৰ কোনো ইয়ত্তা নাই। হয় ইহঁতে সমস্ত বালিত থেকা খাই খাই মৰি যাব নহয় এটা প্ৰকাণ্ড চাকনৈয়াত পৰিণত হৈ ভয়ঙ্কৰ মূৰ্ত্তি ধাৰণ কৰি সৰ্ব্বনাশ কৰিব। কিন্তু এই খলকনিৰ ভিতৰত এটি শুভলক্ষণৰ ক্ষীণ ৰেখা পুৰ আকাশত দেখা গৈছে। ইংৰাজী শিক্ষা আৰু সভ্যতা। আজি কালি আৰু আমাৰ মহিলা সকল স্বাৰ্থপৰ দাম্ভিক পুৰুষ সকলৰ ভোগ-বিলাসিতাৰ পুতলা নহয়। তেওঁলোকৰ এটি জাগৰণ আহিছে—

এইটিয়েই শুভ লক্ষণৰ চিন। এতিয়া আৰু মাতৃসকলে তেওঁলোকৰ ওপৰত পুৰুষৰ অযথা অমূলক গ্লানি আৰু কুৎসা নীৰবে সহ্য নকৰিব। মাতৃৰ জাতি ভেদ নাই। মাতৃ নিৰপেক্ষ আৰু তেওঁৰ মানত সকলো সন্তানেই একে। সেইহে ভাবতে যেতিয়া সকলোকে নিৰপেক্ষভাৱে জাতি নোহোৱাকৈ একেভাৱে একে চকুৰে চাব খোজে তেতিয়া মাতৃ নামৰ আশ্ৰয় লৈ "ভাৰত মাতা" হয়, আৰু অসমো "অসমা জননী" বা "অসম আই" হয়।

যাৰ ধৰ্ম্ম নাই সিহে পৰৰ নিন্দা আৰু গ্লানি কৰে। কাৰণ সকলো ধৰ্ম্মৰ মূল মানৱ সেৱা। ইছলাম ধৰ্ম্মটিও ঈশ্বৰ সেৱা আৰু মানৱ সেৱা এই দুটিৰ ওপৰত প্ৰতিষ্ঠিত। সেইহে আবু-বিন্নে-আধেমে স্বপ্নত দেখিছিল যে মানৱ সেৱাৰ বাবেই তেওঁৰ নাম ফেৰেস্তাৰ আমল নামাত সাধুসকলৰ ভিতৰত পহিলা ঠাই অধিকাৰ কৰিছিল। যাৰ সাম্য ভাব নাস্তি তাৰ ধৰ্ম্মও নাস্তি, সি লাগে যিমানেই নামজাদা লিখকেই হওক। কাম, ক্ৰোধ, লোভ, মোহ, হিংসা, বিদ্বেষ এইবোৰ ছয়তানৰ অনুচৰ, কীট। এই কীটবোৰ এবাৰ মগজত সোমালে মগজ বিকৃত কৰিবই কৰিব। বিকৃত মস্তিষ্কই সত্যক অসত্য ৰূপে, ধৰ্ম্মক অধৰ্ম্ম ৰূপে, দেখুৱাবই দেখুৱাব। ইহঁতে যোগ্যক সম্মান নিদিয়ে অযোগ্যক আকাশত তোলে। কিন্তু সত্যৰ জয় সকলো ঠাইতে। যি অসত্যক সত্য বুলি ঢোল বজাই ঘোষণা কৰিবলৈ যায় সি বাতুল, তাৰ কথাত মূল্য নাই। এতিয়া আৰু জেইব উন-নিছা নাই। কিন্তু তেওঁৰ কীৰ্ত্তি সময়ৰ বালিত ফটফটীয়াকৈ পৈ গৈছে। হিংসা, বিদ্বেষ, কুৎসা গ্লানিয়ে আৰু তেওঁক ছুব নোৱাবে। তেওঁ স্বৰ্গত —মৰ্ত্যলোকে ঢুকি নোপোৱা, অনুভব কৰিব নোৱাৰা বাজ্যত। আই জেইব-উন নিছা! তুমি ভবিষ্যত মাতৃসকলৰ নিমিত্তে যি চানেকি পৈ গৈছা সিয়েই তোমাক চিৰস্মৰণীয় কৰি ৰাখিব। তুমি অমৰ। তোমাৰ পৱিত্ৰ আত্মাই অমৰ বাজ্যত, স্বৰ্গৰাজ্যত চিৰশান্তি লাভ কৰক।



বিশ্ব-প্ৰৱাহ

জাৰ্ম্মেনিত ইহুদী উৎপীড়ণ

নাজীদলে জাৰ্ম্মেনিৰ শাসনভাৰ গ্ৰহণ কৰাৰ লগে লগে ইহুদীসকলৰ ওপৰত উৎপীড়ণৰ অভিযান আৰম্ভ হৈছে। অনেক ইহুদীক জাৰ্ম্মেনিৰপৰা নিৰ্ব্বাসন কৰা হৈছে আৰু



বক্তৃতা দিয়া অৱস্থাত ইহুদীৰ বিপক্ষবাদী নেতা হাৰ জুলিয়াছ ষ্ট্ৰেচাৰ

অনেকৰ লগত সামাজিক সম্বন্ধ বিচ্ছেদ কৰা হৈছে। অকল ইহুদীসকলৰ ওপৰতেই এই উৎপীড়ণ চলাই ক্ষান্ত নহৈ নাজীসকলে ইহুদীৰ লগত বৈবাহিক বা সামাজিক সম্পৰ্ক থকা জাৰ্ম্মানসকলৰ ওপৰতো এই নিৰ্য্যাতন চলাইছে।

যোৱা ১৫ আগষ্টৰ দিনা ইহুদীৰ বিৰুদ্ধবাদী কাকত এখনৰ অধ্যক্ষ হাৰ জুলিয়াছ ষ্ট্ৰেচাৰে বাৰ্লিনত বক্তৃতা দি কৈছে যে জাৰ্ম্মেনসকলৰ লগত ইহুদীবিলাকৰ তেজৰ সংমিশ্ৰন বন্ধ কৰিবলৈ অতি কঠোৰ আইন প্ৰণয়ন কৰাৰ আৱশ্যক। উক্ত সভাত ডাঙৰ ডাঙৰ আখৰেৰে এইদৰে জাননী আৰি দিয়া আছিল—"ইহুদীবিলাকেই আমাৰ অধঃপতনৰ কাৰণ।"

কিন্তু এই উগ্ৰপন্থীসকলৰ বাহিৰেও ইহুদীসকলক অলপ সহানুভূতিৰ চকুৰে চোৱা দুই এজন নৰম পন্থীৰ



ইহুদী সমস্যা সম্পৰ্কে বক্তৃতা দি ডঃ ছাটে কৈছে "ইহুদীৰ প্ৰশ্ন ৰাষ্ট্ৰই গ্ৰহণ কৰা উচিত।"

লোকো জাৰ্ম্মেনিত আছে। জাৰ্ম্মেন ৰে'ছ বেঙ্কৰ গৱৰ্ণৰ ডক্টৰ ছাটে যোৱা ১৮ আগষ্ট তাৰিখে জাৰ্ম্মেনিৰ এখন

সভাত কৈছিল যে ইহুদীসকলৰ বিষয়ে যি সমস্যা উপস্থিত হৈছে এই সমস্যা সমাধানৰ ভাৰ যাৰে তাৰে হাতত এৰি নিদি ৰাষ্ট্ৰই নিজে গ্ৰহণ কৰা উচিত। তেওঁ কয়—"আমাৰ মাজত এনেকুৱা দুই এজন বন্ধু আছে, যাৰ বিষয়ে কবৰ মন যায়—'হে ভগৱান, আমাৰ বন্ধুসকলৰপৰা আমাক ৰক্ষা কৰা।'"

হিটলাৰে অঁকা ছবি



যোৱা মহাসমৰত যুদ্ধ কৰা এডল্‌ফ হিটলাৰৰ ডেকা কালৰ ছবি (সোঁফালৰ জন)



হিটলাৰে অঁকা ছবিৰ নমুনা ; মিউনিকৰ ওচৰৰ এটি গ্ৰাম্য ভৱন

হিটলাৰৰ জীৱন এক বিচিত্ৰ কাহিনীৰে ভৰপূৰ। এওঁ হোৱাৰ কথা আছিল এজন সামান্য বাঢ়ৈ বা শিল্পী ; কিন্তু দৈৱৰ বলত হলগৈ জাৰ্ম্মানিৰ অবিসম্বাদী অধিনায়ক !

যেতিয়া হিটলাৰৰ বয়স ১২ বছৰ তেতিয়া তেওঁ এজন নিপুণ বাঢ়ৈ হোৱাৰ সপোন দেখিছিল। কিন্তু ১৫ বছৰ বয়সত যেতিয়া তেওঁৰ পিতৃ মাতৃ বিয়োগ হয় তেতিয়া



হিটলাৰে অঁকা ৰেভেৰিয়াৰ ডিউকসকলে বাস কৰা অতীতৰ এটি প্ৰাসাদৰ ছবি।

হিটলাৰে ভিয়েনাৰ শিল্পৰ স্কুলত ভৰ্ত্তি হবলৈ মন মেলে। এই কাৰণে তেওঁ এটা বাছনিক পৰীক্ষা দিব লগা হৈছিল।

কিন্তু পৰীক্ষকে হিটলাৰৰ ছবি পৰীক্ষা কৰি দেখিলে যে শিল্পৰ ফালতকৈ বাঢ়ৈ বিদ্যাৰ ফালেহে হিটলাৰৰ বুদ্ধি বেছি। সেইদেখি তেওঁক শিল্পৰ স্কুলত ভৰ্ত্তি কৰা নহল। ইপিনে বাঢ়ৈ স্কুলত ভৰ্ত্তি হবলৈকো হিটলাৰৰ আৱশ্যকীয় বিদ্যা নাছিল।

এমিল লেঞ্জিয়েলে হিটলাৰৰ জীৱন-চৰিতত কৈছে—"সৰু অৱস্থাত হিটলাৰে নিজৰ ঘৰৰ চাকিৰ ওচৰত বহি ছবি আকিবলৈ ভাল পাইছিল। তেওঁৰ বাপেকে কিন্তু অবাবত এই দৰে তেল খৰচ কৰাতো বৰ লাজৰ বিষয়

বুলি ভাবিছিল ; কিয়নো ছবি আকিলে মানুহে ভাল ছবকাৰী কাম পাব নোৱাৰে। হিটলাৰৰ বাপেকৰ মানত ছবি অকাটো বৰ সৰু মানুহৰ কাম। হিটলাৰে ভিয়েনাৰ শিল্প স্কুলত নাম লগাবলৈ যি চেষ্টা কৰিছিল সি বৃথা হল। কিয়নো জপৰা চুলি একোছা চকুৰ আগত ওলমি থকা আৰু এসোপা লেতেৰা ছবি লগত লৈ ফুৰা এটা গাৱঁলীয়া লৰাৰ কৃতকাৰ্য্যতাৰ কোনো আশা নাছিল।"



হিটলাৰে অকা ছবিৰ আন এটি নমুনা—মিউনিকৰ জাতীয় ৰঙ্গমঞ্চ



মহাসমৰত সৈন্যবিলাক লুকাই যুদ্ধ কৰা এটা গৰ-খাৰৈৰ ছবি। ইয়াত হিটলাৰে তেওঁৰ কমাণ্ডাৰৰ গা শুশ্ৰূষা কৰিছিল। এইখানো হিটলাৰে অকা ছবি।

ৰসসিন্দূৰ স্বৰ্ণসিন্দূৰ মকৰধ্বজ, সিদ্ধ মকৰধ্বজ আৰু পাশ্চাত্য বিজ্ঞান

—কবিৰাজ শ্ৰীযুত ঘনশ্যাম দাস বি-এ কবিৰত্ন

আয়ুৰ্ব্বেদে Simili.....theory মানে, কিন্তু হোমিওপেথিৰ নিচিনাকৈ নহয়। আয়ুৰ্ব্বেদে কয় ঔষধৰ শক্তি বেমাৰৰ অনুপাতে হব লাগে। তাৰ মানে বেমাৰ যদি স্থূল হয়, ঔষধৰ মাত্ৰাও স্থূল হব। বেমাৰ যদি সূক্ষ্ম হয় ঔষধৰ মাত্ৰাও সূক্ষ্ম হব। ঔষধ যিমানে সূক্ষ্ম হয় তিমানে ফলপ্ৰদ আৰু শক্তিশালী হয়। কাৰণ :—

তুল্যোত্তু গন্ধকে জীৰ্ণে শুদ্ধাচ্ছত গুণোৰসঃ
দ্বিগুণে গন্ধকে জীৰ্ণে সৰ্ব্ব কুষ্ঠ হৰ পৰঃ॥
ত্ৰিগুণে গন্ধকে জীৰ্ণে সৰ্ব্ব জাড্য বিনাশনঃ
চতুৰ্গুণে তত্ৰ জীৰ্ণে বলীপলিত নাশনঃ
গন্ধে পঞ্চগুণে জীৰ্ণে ক্ষয়ে ক্ষায় হৰ ৰুজঃ
ষড়্গুণে গন্ধকে জীৰ্ণে সৰ্ব্ব ৰোগ হৰে ৰসঃ।

যেতিয়া স্নায়ুৰ (nerve) বেমাৰ হয়, তেতিয়া ৰস সিন্দূৰ কাৰ্য্যকৰী নহব, স্বৰ্ণসিন্দূৰ নাইবা ষড়গুণ বলি-জাৰিত মকৰধ্বজহে কাৰ্য্যকৰী হব, আৰু যেতিয়া উপদংশ হয় তেতিয়া ৰসসিন্দূৰ নাইবা কেচা পাৰদহে কাৰ্য্যকৰী হয়। ইত্যাদি প্ৰমাণ আৰু যুক্তিসন্মত হোৱা সত্বেও কোনো যুক্তিৰ ওপৰত থিয় হৈ আয়ুৰ্ব্বেদত Law of definite proportion অৰ অপব্যৱহাৰ হৈছে বুলি কয়, আমি হলে কব নোৱাৰোঁ।

বৰ্ত্তমান যুগত আমাৰ জ্ঞানৰ পন্থা হৈছে (Microscope) অণুবীক্ষণ যন্ত্ৰ, আৰু বিশ্লেষণ ক্ৰিয়া (Analysis and test) কিন্তু কোনোটোৱেই সম্পূৰ্ণ নহয়। তিনিওটাৰ সহায়েৰেও কোনো এটি সামান্য বস্তুৰ composition জানিব নোৱাৰি। ধৰক মৌ। মৌ বিশ্লেষণ কৰি পোৱা যায় ১৮ ভাগ পানী, ৭৮ ভাগ কাৰ্ব্বোহাইড্ৰেট, ২ ভাগ খনিজ বস্তু ; ইয়াৰ বাহিৰেও ৪ ভাগ বস্তু আছে যি বস্তু কি তাক বৰ্ত্তমান বিজ্ঞানে কব নোৱাৰে। জ্ঞান বিজ্ঞানহীন মৌ মাখিয়ে কিহেৰে মৌ তৈয়াৰ কৰে অণুবীক্ষণ দূৰবীক্ষণ ৰূপ দিব্য চক্ষু সম্পন্ন হৈও আমি কব নোৱাৰোঁ।

সেইবাবে যি বিজ্ঞানে ৰসসিন্দূৰ, স্বৰ্ণসিন্দূৰ, মকৰধ্বজ ইত্যাদিকে একে বুলি কয় সেই বিজ্ঞানখন সাগৰৰ অতল গৰ্ভত ঠাই পোৱা উচিত। আৰু যিবোৰে সেই Science অৰ ওপৰত ভিত্তি স্থাপন কৰি Mercuric sulphide আৰু ৰস সিন্দূৰ স্বৰ্ণসিন্দূৰ আদিক এক বুলি চলায় তেওঁলোকে ভাৰতীয় দণ্ডবিধি আইনমতে দণ্ডনীয় হোৱা উচিত নিম্নলিখিত কাৰণৰ বাবে :—

১। আয়ুৰ্ব্বেদৰ নিচিনা সজীৱ বিজ্ঞান এখনক ধ্বংস কৰিবৰ দুৰভিসন্ধি কৰা বাবে।

২। দৰবৰ অযথা ব্যৱহাৰ কৰা বাবে।

৩। ৰোগীক ঠগাই টকা লুটি নিয়া বাবে।

আমি কওঁ আয়ুৰ্ব্বেদবিদ ৰাসায়ণিকবিলাকে সোণৰ অপব্যৱহাৰ কৰা নাছিল। তেওঁলোকে সোণক কিদৰে oxide কৰিব লাগে তাক ভালকৈ জানিছিল। মকৰধ্বজ আৰু স্বৰ্ণসিন্দূৰত সোণ থাকেনে নাথাকে আৰু থাকিলে কেনেকৈ থাকে সেই কথা কোৱাৰ আগতে কিছুমান ৰাসায়ণিক পণ্ডিতৰ ক্ৰিয়াৰ বিষয়ে কোৱা কথা আলোচনা কৰি চোৱা যাওক। তেওঁলোকে কয় যে সোণ, পাৰদ আৰু গন্ধকৰ সংযোগত থকাৰ বাবে সোণৰ গুণ মকৰধ্বজ আৰু স্বৰ্ণ সিন্দূৰত থাকে কিন্তু দ্ৰব্য হিচাবে সোণৰ হ্ৰাস বৃদ্ধি নহয়। এই কথা সম্পূৰ্ণ বিশ্বাসযোগ্য নহয়।

কব নোরাবো, কোন শাস্ত্রবাক্যব ওপবত নির্ভব কবি ঢাকা শক্তি ঔষদালয়ব অগ্যক্ষ মথুব বাবুবে এই কথা কয়। "পৃথগ ভাবো ভুমাদীনাং গুণৈমর্তঃ স নিত্যো মহদি দ্রব্যং ন তত্রানিয়তা গুণাঃ" অর্থাৎ দ্রব্য আক গুণ পবস্পব পৃথক থাকিব নোরাবে, আক এই অপৃথক ভাবকে সিইতব নিত্য সম্বন্ধ বোলে। এই সম্বন্ধ নিত্য সেই বাবে সোণক পৃথক কবি সোণব গুণ নিব নোরাবি। যদি সোণব গুণ মকবধ্বজত আছে তেনেহলে কব লাগিব কম হক বেছি হক সোণব হ্রাস হয়।

আমি আক বিশ্বাস কবো Physical contact অত সোণ শবীবত ধাবণ কবিলে সোণব হ্রাস নহলেও শবীবব উপকাব হয়; কিন্তু যেতিয়াই সেই সোণ শবীববপবা আতব কবা হয়, তেতিয়াই সোণব গুণব ক্রিয়া শবীবব ওপবত নাথাকে। পাৰা গন্ধক আক সোণ যেতিয়া একে লগে থাকে, তেতিয়া সেইবোবব কিবা সম্বন্ধ থাকিব পাবে; কিন্তু যেতিয়া ইটোৱে সিটোৰপবা পৃথক হয় তেতিয়া প্রত্যেকব গুণ সুকীয়া। আমি জানো That physical and material bodies act and react upon one another through the heat light and energy

সেইবাবে যেতিয়া পাবদ গন্ধক সোণ একে লগ কবি জাল দিয়া হয়, তেতিয়া উত্তাপব বাবে ইটোৱে সিটোব ওপবত ক্রিয়া কবিব পাবে কিন্তু সেই ক্রিয়া হব উত্তাপ থকা অৱস্থাতহে। যদি সিইতব combined effect হোৱা বুলি বিশ্বাস হয়, সিইতব হয় হব লাগিব chemical compound, তাত হব লাগিব সোণব হ্রাস, নহলে উত্তাপব পিছত catalytic action অব কথা ভুৱা মাত্র।

নাইবা যদি আমি কওঁ পাবা গন্ধক আক সোণ একেটি শক্তিব বিকাশ, আক উত্তাপব বাবে তিনিওটাই একে অৱস্থা প্রাপ্ত হয়, আক সিইতব গুণব তেতিয়াই আদান প্রদান হয়, আক পাবা যোগবাহী হোৱা গুণত নিজব গুণব বাহিবেও সোণ আক গন্ধকব গুণ লয় তথাপি আমি দেখুৱাব লাগিব যে তাত সোণব হ্রাস হৈছে—হব পাবে কম বা বেছিভাবে।

Every conceivable energy carries a corresponding mass with it. Mass means matter. Air is matter. Eather is matter. ফিতোপতেজ মৰুদ্ব্যোম সকলোবোব Matter পদার্থ বা বস্তু—সজীব হওক বা নিৰ্জ্জীব হওক। Energy is matter when it is within the range of conception, সেইবাবে কওঁ সোণব শক্তি যদি মকবধ্বজত ভাবিব পাবি, তেন্তে সোণ দ্রব্য হিছাবে হ্রাস হবই লাগিব। হব পাবে স্বাদ বর্ণ নাইবা ওজনত সুকজব শক্তি সোণত ভবা ভুল হব। সূর্য্যই বস্তিজাল বিস্তাব কবোতে নিজব তেজব লগে লগে নিজব গাব দ্রব্য বা Matter বিকীবণ কবাব কথা প্রত্যেক বিজ্ঞানবাদীয়ে বিশ্বাস কবে, আক সেইবে আদান কবিবব শক্তিও ইয়াব যথেষ্ট পবিমাণে আছে।

সেইবাবেই কওঁ মকবধ্বজত সোণব শক্তি আছে। মকবধ্বজ প্রস্তুত কবাত সোণব হ্রাস হয়। এই কথা দর্শন বিজ্ঞান আক ব্যবহাবিক শাস্ত্রসম্মত। জগতব যাবতীয় পদার্থ ফিতাপতেজমকদ্ব্যোমব সংমিশ্রনত জন্ম আক তাতেই লয় হয়। থাকিব পাবে এই জন্ম মবণব ভিতবত আক এটি শক্তি যি শক্তিব দ্বাবাই ইয়াব সংযোগ আক বিয়োগব দ্বাবাই একেবঙ্গবেই ভিন ভিন ভাবে প্রকাশ পায়। হব পাবে সেই শক্তি ঈশ্ববব নাইবা ফিতোপ তেজমকদ্ব্যোমব জন্মগত সংহতি শক্তি।

তেন্তে দর্শনমতে আমি ধবি লব পাবোঁ, পাবা আক সোণ একে বস্তুব (পঞ্চ মহাভূতব) ভিন ভিন প্রকাশ। এই দুই বস্তু আদিতে একে আক শেষতো একে, মাজতে মাথোন কপান্তব। কাজেই এই দুই পদার্থব সংমিশ্রণত এক নতুন পদার্থ সৃষ্টি হোৱাত একো অদ্ভুত কথা হোৱা নাই। নির্ভব কবে প্রক্রিয়াব ওপবত। Heat changes, destroys all matters and in Ayurveda it is considered as a medium through which all the matter can be mixed up. Gold and Mercury are also not exception to it. উত্তাপে বস্তুব কপান্তব কবি নতুন বস্তু সৃষ্টি কবে। আয়ুর্ব্বেদব উত্তাপ মধ্যৱর্ত্তী দ্রব্য আক ইয়াব সহায়ত সকলো বস্তুব

সান মিহলি হয়, দ্রব্যব ওজাদিবো সংমিশ্রন হয় আক কপান্তব হয়। আয়ুর্ব্বেদব ভস্ম মানে দ্রব্যব শেষ নহয়, দ্রব্যব আক গুণব কপান্তব, দ্রব্য আক গুণব অইন দ্রব্যত সমাবেশ আক দ্রব্যব গুণ নিজ সূক্ষ্ম ভাবত নিজত সন্নিবিষ্ট হোৱা। Destruction should not be understood in the sense of total annihilation of matter, but in the sense and in the light of transference, transmission and concentration of energy with the matter and in the matter.

ফুল যেতিয়া ফুলে ইয়াব উত্তাপব দৰ্কাব হয়। ফুলনিব পবা এটি ফুলব কলি আনি এই নিয়মে নিজব কোঠালিত ফুলাব পাবি, কিন্তু বেছি উত্তাপ দিলেই তো ফুলুলেই, ববং লেবেলা পবি মবহি যাব। সেইববে সোণক দ্রব্য হিছাবে মকবধ্বজব লগত উঠাব লাগিলে, সমান উত্তাপত ২৪ ঘণ্টা বান্ধিব লাগিব। 'বায়ু যত্নে চ সংস্থাপ্য ক্রমাৎ ত্রিদিনং পচেৎ।' এই ক্রমাৎ অর্থে ক্রমান্বয়ে তিন দিন আক ক্রমান্বয়ে তিন প্রকাব উত্তাপত দি তিন দিন। প্রথম দিন মৃদু পাক, দ্বিতীয় দিন মধ্যম পাক আক তৃতীয় দিন তীব্র পাক।

প্রথম দিন সোণ আক পাবা গন্ধক সংযোগত লগ লাগে আক সিইতব পচন ক্রিয়া সমাপন হয়। দ্বিতীয় দিন এই দুযোকে ফুটন্ত অৱস্থাত বখা হয়, আক গন্ধকব বেছি ভাগ অলপ অলপকৈ বটলব মুখত পুবিবলৈ ধবে। এই অৱস্থাতে পাবা সোণ আক গন্ধকব কণিকাবোবে উত্তাপব বাবে এক অৱস্থাত পবিণত হয়। তেতিয়া পবস্পবব দ্রব্য গুণ আক শক্তি হিছাবে আয়ান প্রদান আক সংমিশ্রন হয়। এই অৱস্থাতে পাবাব ভাগ বেছি হয় আক সোণব ভাগ কমি যায়।

"সর্ব্বদা সর্ব্ব ভাবেন সামান্যং বৃদ্ধিকাবণম্"

সমান দ্রব্য সমান দ্রব্যব লগত মিহলালে দ্রব্য বৃদ্ধি পায়; এই নিয়মবশতঃ পাবাব ভাগ বেছি হয়।

তৃতীয় দিন যেতিয়া তীব্র জাল দিয়া হয়, তেতিয়া সোণব অৱশিষ্ট অংশ অতি জুলীয়া হৈ বটলব তলত গবি যায় আব স্বর্ণবটিত পাবা আক গন্ধক বাষ্পাকাবে উঠি বটলব যি অংশত উত্তাপ কম তাত লাগি বয়। সেয়ে মকবধ্বজ!

আয়ুর্ব্বেদ বাসায়নিকবিলাকে Definite law of Proportion জনাবতো কথাই নাই, তেওঁলোকে আক জানিছিল কেনেকৈ সোণ Oxidised হয়, আক তাকে কবিব লাগিলে জুইব কিমান ডিগ্রী উত্তাপ লাগে, আক তেওঁলোকে জানিছিল স্বর্ণ ভস্ম কবোতে কিমান ডিগ্রী উত্তাপব প্রয়োজন হয়।

গলিতস্য সুবর্ণস্য ষোড়সাং শেষ সীসকম্
যোজয়িত্বা সমযুতং নিষুনীবেণ মর্দ্দয়েৎ॥
গোলং কৃত্বা গন্ধচূর্ণং সমং দত্ত্বাং তত্তপবি
শবাব সং পুটে কৃত্বা পুটেং ত্রিংশদ্বনোপনৈঃ
এবং স্যুনি পুটেইব নোথানং লভতে পুনঃ।

ত্রিংশদ্বনোপনৈঃ—পথাবত পোৱা ৩০ খন গোবব শুঠা। যেতিয়া সোণ ভস্ম কবাব প্রয়োজন হয় তেতিয়া ত্রিশখন মাত্র বন গোবব শুঠাব উত্তাপত আল দিব লাগে। যদি বেছি গোবব শুঠা দিয়া যায় তেন্তে সোণ ভস্ম নহয়,—গলি যায়।

বর্ত্তমান বিজ্ঞানে এইবোব কথা বুজি নাপায় আক বুজিবও ইচ্ছাও নকবে। সেইটো কাব দোষ আমি কব নোৱাবোঁ। নাইবা যদি সোণ ultra microscopic ভাবে মকবধ্বজত মিহলি হৈ থাকে তেতিয়া আমাব কবৰ একো নাই, কিন্তু আমি হলে জানোঁ যে সোণ মকবধ্বজ তৈয়াব কবোতে প্রতি তোলাই ।০/০ কৈ ক্ষয় হয়। আক সেই সোণব হ্রাস মকবধ্বজ তৈয়াবব প্রণালী আক উত্তাপব ওপবত নির্ভব কবে। আবম্ভণবপবাই তীব্র আল দি মকবধ্বজ তৈয়াব কবিলে সোণব হ্রাস নহয়, কিন্তু যদি আয়ুর্ব্বেদব ঠিক নিয়ম অনুসবণ কবা হয় তেনেহলে সোণব হ্রাস হয় আক মকবধ্বজো তদনুযায়ী কার্য্যকবী হয়।

ব্যবসায় হিছাবে বসসিন্দুব, স্বর্ণসিন্দুব, মকবধ্বজ, সিদ্ধ মকবধ্বজ একে বস্তু। কিন্তু চিকিৎসা ক্ষেত্রত প্রত্যেকটোবেই বেলেগ বেলেগ। কোনো চিকিৎসকে বুকত হাত দি কব নোৱাবে যে আটাই কেইটাব গুণ

একে। সেই বাবে দেখা যায় কোনো ক্ষেত্রত অবিশ্বাসী মকরধ্বজ এক তোলায়ো কাজ নকবে আক বিশ্বাসযোগ্য ১ বতি মকরধ্বজেও কাম কবে।

আয়ুর্ব্বেদোক্ত মকরধ্বজ তৈয়াবী শ্লোকটো পঢ়ি মকরধ্বজ তৈয়াব কবিব গলে, মকরধ্বজ তৈয়াব কবিব পাবি সঁচা কথা; কিন্তু তেনেকুৱা কবিলেও মকরধ্বজ কার্য্যকবী নহব আক সোণবো হ্রাস নহব। তাবে পূর্ব্বতে কিছুমান কার্য্যকবী নিয়ম আছে সেইবোব অনুসবণ কবিব লাগে। যথা স্বর্ণ শোধন, স্বর্ণব ভাবনা ক্রিয়া, পাবদ শোধন আক তাব ভাবনা ক্রিয়া, গন্ধক শোধন আক তাব ভাবনা ক্রিয়া। স্বর্ণ পাবদব দ্বাবাই গ্রাস আক তাব ভাবনা ক্রিয়া। পাবদ গন্ধকব দ্বাবাই গ্রাস আক তাব ভাবনা ক্রিয়া। উক্ত কার্য্যকবী নিয়ম এক বৎসবাধীন।

সন্ধ্যাবাণী

কবিতা]

—শ্রীযুত শশীকান্ত গগৈ

হেঙুলী বোলেবে সউ বেদনাব ভাব লই
পশ্চিমত মাব যায় নীবৰে সবিতা,
বুকুব তেজেবে যেন আকাশত কোনোবাই
লিখে মোব জীবনবে কৰুণ কবিতা,
পুৱাব বেলিব দবে উঠিছিলোঁ মযো চাগে'
দিণ্ড বুলি জগতত নতুন সমল;
ক'তা? আজি ভাবি চাওঁ মিছা হ'ল সকলোটে
নিবাশাতে মাব গ'ল আশাব কমল।
মনত পবিছে মোব কেতিয়াবা উঠা মই
কবো বুলি জগতত নিজবে প্রচাব,
লগে লগে বহি পবা অৱশ পবাণ লই
নোৱাবি সহিব ভাব প্রবল হেচাব।
তুমি হলে সূর্য্যদেব উজ্জ্বল কণছ হৈ
প্রচাবিছা জগতত তোমাব গবিমা,
কিয় তেনে এই সন্ধ্যা দুখব পতাকা লই
ছটিয়ালা পশ্চিমত শোণিত-কণিকা,
তোমাব বগত উঠি ঘুবোতে জগত সখি
দেখিলানে মোব দবে ব্যথা সদাগব,
সেইদেখি চুচকুত চকুলো বিবিঙি উঠে
মাব গই হৃদয়ব আনন্দ-সাগব?
বেদনাবে ক'লা পবা কলীয়া আঁচল লই
সন্ধ্যাবাণী প্রিয়া মোব নিতে আহা তুমি,
নিতে মই শুই পবোঁ মোবে দুখ ভাবি ভাবি
তুমিয়ে সান্ত্বনা দিয়া দুই গালে চুমি।
বনব বিহগে গায় কিবা গীত কিবা মাত
কবিয়ে কবিতা বচে মধুময় বুলি;
মই ভাবো মোবে দবে ব্যথাবে বাখিত সিও
সেইদেখি কান্দি ফুবে শোক-বাও তুলি।
মাব ঘোৱা ঘোৱা মাব; বেজাবব চিন তুমি
নেদেখাবা জগতত দয়ালু সবিতা;
সন্ধ্যাবাণী ঢাকি ধবা আঁচলেবে মুখ মোব
টোপনিতে শেষ কবো জীবন-কবিতা।

নাগলোকব কথা

(২)

—শ্রীযুত কৰুণাকান্ত গগৈ

আঙ্গামী নগা (টেঙ্গীমা)

আগেয়ে উদ্ধৃকিয়াই আহিছো যে নগা অনেক জাতব আছে। তাব ভিতবতে আঙ্গামী, আও, লঠা, চেমা, চাঙ কন্যাক, কুকি আদিয়েই প্রধান। এতিয়া এই প্রবন্ধত আঙ্গামী নগাব বিষয়ে কম। কিন্তু তাব আগতে আমাব দেশব দক্ষিণ অংশ আগুবি থকা এই পর্ব্বতশ্রেণীক কিয়নো নগা পর্ব্বত বোলা হ'ল আক তাব অধিবাসীসকল কিয় নগা নামে অভিহিত হ'ল তাব বিষয়ে আলোচনা কবি চোৱা যাওক। আজিলৈকে নগাজাতিব বিষয়ে যতবোব গ্রন্থ বা কাকত পত্র পোহবলৈ ওলাইছে তাব ভিতবত ডাঃ হাটন্ (Dr. J H. HUTTON, C. I. E., I. C. S.) আক মিঃ জে, পি, মিল্‌ছব (Mr. J. P. MILLS.) বোবেই বিশেষ উল্লেখযোগ্য। তেওঁবিলাকেও এই নাম কিয় হবলৈ পাগে সেই বিষয়ে কোনো সিদ্ধান্ত কবি দেখুওবা নাই যদিও ডাঃ হটনে কোনোবা এঠাইত কৈছে যে সংস্কৃত নগ্ন আক নগ বা হিন্দুস্থানী নঙ্গ শব্দব সবাই বহুত দূব সম্ভব নগা শব্দ ওলাব পাবে। কিন্তু এই অনিশ্চিষ্ট মন্তব্যও সিমান গধুব যেন নালাগে। সংস্কৃত নগ্ন আক হিন্দুস্থানী নঙ্গ শব্দই উলহ বুজায়। এতিয়া কথা হৈছে অসমব কাষবে পাজবে অনেক সম্পূর্ণ নাঙঠ আক আদ্ নাঙঠ জাতি বসতি কবিছিল আক ঠায়ে ঠায়ে এতিয়াও কবিছে, সিবিলাকক কিন্তু নগা বুলি পবিচিত কবা হোৱা নাই। আনহাতে এতিয়াব নগাসকলব সকলোবেই অতীজতো এককোবাবে নাঙঠ আছিল বুলি কোনো প্রবাদ শুনা নাযায়, তাব পবিবর্ত্তে কৌটুকালবে গবা মুখে মুখে চলি অহা সাধুকথাবিলাকবপবা তেওঁবিলাকে অনেক প্রকাবব সাজ পোছাক আক অঙ্গাভবণ ব্যবহাব কবাব কথা এতিয়াও শুনিবলৈ পোৱা যায়। অৱশ্যে 'কন্যাক' আক কিছুমান 'চাঙাম' নগাই আগেয়েও কানি-কাপোব ব্যবহাব নকবিছিল আক এতিয়াও সচবাচব উদি-মুদি হৈয়ে থাকে, আক কিয় তেনেকৈ থাকে তাবো বহস্যজনক কাবণ চলিত সাধুকথাব যোগেদি তেওঁবিলাকে দেখুৱায়। সি যি কি নহওক, এই এশাচি কছুশাকত এটা জালুকে কবিব কি? তাব পিছত দ্বিতীয়টো কথাব বিষয়ে ভাবি চাওঁ। সংস্কৃত নগ শব্দই পর্ব্বত বুজায়। এইমতে চাবলৈ গলে পর্ব্বতত বসতি কবা বাবে এওঁবিলাকক নগা বোলা হৈছে বুলি ধবি লব লাগিব। কিন্তু এই ধাবণাও কিমান দূব যুক্তিবে পবিপুষ্ট তাকে ভাবি চাবলগীয়া। নগত (পর্ব্বতত) থাকিলেই যদি নগা বুলিব লাগে তেন্তে অসমব কাষবে পাজবে থকা পর্ব্বতীয়া আবব, মিবি, মিছিমি আনকি নগাপর্ব্বত জিলাব কাষতে থকা মিকিব আক গাবোসকলক কিয় সেই নাম দিয়া নহল—ইয়াব কিবা বহস্য বা বিশেষ কাবণ থাকিব পাবেনেকি?

এই ওপবত দর্শোৱা আসৌৱাহবিলাকবপবা আমি কব লগা হৈছো যে নয়, নগ, বা নঙ্গ শব্দবপবা নগা শব্দ ওলোৱাটো একেবাবে সম্ভবপব নহয়। পুবাণ, ভাগবত আক ৰামায়ণ, মহাভাবতত আমি নাগলোক আক নাগ কন্যাসকলব কথা পঢ়িবলৈ পাইছো, আক এনে ধবণব কথা সাধুকথাব ছলেবে সকবেপবা শুনিও আছিছোঁ। এই নাগলোকেই যে এতিয়াব নগাদেশ আক নাগসকলেই যে এতিয়াব নগা এই কথা ধবি লবলৈয়ো যথেষ্ট যুক্তিব অভাব নাই। নাগলোক হেনো পাতালত আছিল; আক এই পাতালো ভাবতব দক্ষিণ ফালে অসমতে। এই

বিষয়ে যথাযথ যুক্তি দৰ্শাই শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতি দেৱে, দ্বিতীয় বছৰৰ বাঁহীত "পুৰণি আসামত ভুমুকি" নামে প্ৰবন্ধত যি কথা লিখিছে তাকে ইয়াত প্ৰমাণ স্বৰূপে উদ্ধৃত কৰিলোঁ।

"আগেয়ে কোৱা হৈছে যে পাতালো অসমতে। সকলোৰে মনত ধাৰণা যে পাতাল পৃথিবীৰ তলত। আজি কালিৰ কোনো কোনো শিক্ষিত লোক পৃথিবীৰ চাৰিও ফালে শূন্যকে দেখি আমেৰিকাকে পাতাল বুলি ধৰে। এই দুয়োটা ধাৰণাই ভুল। পাতাল তলত জেনিথ আৰু নাডিৰ (Zenith & Nadir) এই ভাৱে নহয়; উজনি নামনি বা উজান -ভাটী এই ভাবতহে। পূব আৰু উত্তৰকে উজনি আৰু পশ্চিম আৰু দক্ষিণকে নামনি বোলে। সুগ্ৰীৱে সীতাক বিচাৰিবলৈ দক্ষিণ পিনে পঠিওৱা বান্দৰবিলাকক কৈ দিছিল যে বাসুকীৰ ভোগৱতী পুৰীও সেই ফালেই (ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড—৪১ সৰ্গ)। সুগ্ৰীৱৰ কথাৰপৰাই জনা যায় পাতাল দক্ষিণ দিশেহে।

"নাগৰাজ ঐৰাৱতৰ জীয়েক উলুপী আৰু অৰ্জ্জুনৰ পুত্ৰ ইৰাৱান ককাকৰ ঘৰত নাগলোকত আছিল। অৰ্জ্জুন অস্ত্ৰশিক্ষা কৰিবলৈ ইন্দ্ৰপুৰীলৈ আহোঁতে পিতাক সুৰপুৰীলৈ অহা বাতৰি পায়েই তেওঁ বেগাবেগিকৈ আহি অৰ্জ্জুনক দেখা কৰি তেৱেঁই অৰ্জ্জুন আৰু উলুপীৰ পুত্ৰ বুলি চিনাকি দি সেৱা কৰাত অৰ্জ্জুনৰ আগৰ কথা মনত পৰিলত পুতেকক দেখি বৰ সন্তোষ পায় (মহাভাৰত, ভীষ্মপৰ্ব্ব, ৯১ আধ্যা)। ইৰাৱানৰ জন্মৰ পিছত কতকাল অৰ্জ্জুন ইন্দ্ৰপ্ৰস্থত থাকে, তেতিয়া ইৰাৱান অৰ্জ্জুনক দেখা কৰিবলৈ যোৱা নাই; পাণ্ডৱৰ যেতিয়া ভৰপূৰ অৱস্থা, তেওঁলোকে ৰাজসূয় যজ্ঞ কৰে তেতিয়াও ইৰাৱান ইন্দ্ৰপ্ৰস্থলৈ যোৱা যে নায়েই কাৰো একো ভু ভটঙেই নাই, কিন্তু অৰ্জ্জুন স্বৰ্গলৈ অহা শুনিয়েই ইৰাৱানে লৰালৰিকৈ গৈ পিতাকক দেখা কৰিলে। ইয়াৰ কাৰণ ইয়াকে পোৱা যায় যে নাগলোকৰপৰা ইন্দ্ৰপ্ৰস্থ ইমান দূৰৈ যে বাতৰি পোৱাই দুষ্কৰ; কিন্তু স্বৰ্গ ওচৰতে, এই নিমিত্তেই ইৰাৱানে অৰ্জ্জুন অহা বাতৰিও পালে আৰু গৈ দেখাও কৰিলে।

"মহাভাৰতৰ অশ্বমেধ পৰ্ব্বৰ ৭৯ আৰু ৮০ আধ্যাত পোৱা যায় মহাৰাজ যুধিষ্ঠিৰৰ অশ্বমেধৰ ঘোৰাঁ মণিপুৰ সোমোৱাত অৰ্জ্জুন আৰু চিত্ৰাঙ্গদাৰ পুত্ৰ মণিপুৰাধিপতি বভ্ৰুবাহনৰে সৈতে অৰ্জ্জুনৰ যুদ্ধ হয়; ৰণৰ বাতৰি পাই নাগৰাজৰ জীয়েক অৰ্জ্জুনৰ ভাৰ্য্যা উলুপীও সেই ৰণথলীলৈ যায়। অলপ সময়ৰ ভিতৰতে উলুপীয়ে যুদ্ধৰ ভু পোৱা আৰু ৰণথলীলৈ যোৱাৰপৰা বুজিব পাৰি যে নাগলোক আৰু মণিপুৰ ওচৰাওচৰি। আদিপৰ্ব্বৰ ২১৫ আধ্যাত দেখা যায় অৰ্জ্জুনে বনবাসৰ সময়ত মহাসাগৰৰ পাৰে পাৰে গৈ মণিপুৰ পায়গৈ।

"বান্দৰবিলাকৰ আগত সুগ্ৰীৱৰ কথা আৰু ইৰাৱান স্বৰ্গলৈ আৰু উলুপী ৰণথলীলৈ আৰু অৰ্জ্জুন মণিপুৰলৈ যোৱা কথাকেটাৰপৰা জনা যায় যে নাগলোকখন দক্ষিণপিনে আৰু স্বৰ্গৰ ওচৰতে। মণিপুৰ নাগলোকৰ ওচৰৰ আৰু সমুদ্ৰও মণিপুৰৰ ওচৰত। তেন্তে এতিয়াৰ নগাপৰ্ব্বতেই যে নাগৰাজ ঐৰাৱতৰ ৰাজ্য নাগলোক আৰু এতিয়াৰ মণিপুৰেই যে অৰ্জ্জুনৰ পুত্ৰ বভ্ৰুবাহনৰ ৰাজ্য মণিপুৰ সেই একে নামেই আছে ইয়াত একো সংশয় নাই। সেই সময়ত সমুদ্ৰ যে মণিপুৰৰ ওচৰলৈকে আছিল, কাছাৰেই তাৰ প্ৰমাণ; সমুদ্ৰৰ তটভূমি কচ্ছৰপৰাই কাছাৰ হৈছে।"

ইয়াৰ উপৰিও পাৰিপাৰ্শ্বিক অৱস্থা আৰু প্ৰধান্যতালৈ লক্ষ্য কৰি চালে এতিয়াৰ খনমাই উলুপীৰ ৰাজ্য আছিল বুলি অনুমান কৰিব পাৰি। অনেক প্ৰাচীন গীত মাত আৰু প্ৰবাদৰ ওপৰত নিৰ্ভৰ কৰি যিমান দূৰ বিশ্বাস কৰিব পাৰি এই অনুমান ভুল নহয় বুলি কলেও মিছা কোৱা নহব যেন লাগে। পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ ঘোৰা মণিপুৰত উপস্থিত হোৱাৰ আগতে প্ৰমীলাৰ ৰাজ্যত সোমোৱাৰ কথা মহাভাৰতত উল্লেখ আছে। এই প্ৰমীলাৰ দেশো নগাপৰ্ব্বততে। গৱৰ্ণমেণ্টৰ অধীনত নথকা অজান্তি মুলুকত এই দেশ আছে বুলি আশে পাশে থকা নগাৰ মুখে মাজে সময়ে শুনিবলৈ পোৱা যায়। এই দেশত মুনিহৰ সঁচ নাই। ফাগুন চ'ত মহীয়া বলা এটা বায়ুৰপৰা তিৰোতাবিলাকৰ গৰ্ভাধান হয় আৰু মতা

লৰা উপজিলেই তাক মাৰি পেলোৱা হয়। নগাই দিয়া বৰ্ণনা আখৰে আখৰে মহাভাৰতৰ লগত মিলে; কিন্তু এই কথাৰ হুবহু প্ৰমাণ কৰি চাবৰ এতিয়া একো উপায় নাই—সময়ত ই পোহৰলৈ ওলাব বুলি আশা কৰিব পাৰি। সি যি কি নহওক নগাপৰ্ব্বতেই যে নাগলোক আছিল এই অনুমান অভ্ৰান্ত। কালক্ৰমত এই নাগ শব্দই মানুহৰ মুখত পৰি সহজ হৈ নগা হ'ল; কিন্তু স্ত্ৰী লিঙ্গত উভয় শব্দই নাগিনী হৈয়ে থাকিল।

নগাপৰ্ব্বত জিলাত বাস কৰা সকলো জাতিৰ ভিতৰত আঙ্গামীসকলেই সৰহ ঠাই জুৰি আছে আৰু লোকসংখ্যা অনুপাতেও এইবিলাক আন জাতিতকৈ সৰহ।

আঙ্গামী নগা আৰু তেওঁবিলাক থকা ঠাইৰ চাৰি সীমা

আঙ্গামীবিলাকৰ কিছুমানে নিজক 'টেঙ্গীমা' বুলিহে পৰিচয় দিয়ে কাৰণ আঙ্গামী শব্দটো মণিপুৰী 'গ্লামেই' শব্দৰপৰাহে ওলাইছে। কিন্তু আজি-কালি আঙ্গামী নামেৰেহে এওঁবিলাক ৰজাঘৰে প্ৰজাঘৰে সকলোতে পৰিচিত।

উত্তৰে দৈয়াং নৈ সমতললৈ নমাৰপৰা কিছু দক্ষিণ মুৱাকৈ 'ঠেঙ্গুকেপু' টিং (ঠেমকেটচাৰ ওপৰত একেবাৰে দক্ষিণত থকা ৰেঙমা গাওঁ) আৰু 'মুটুহুৰ' (চেমা দেশৰ কাষত থকা) মাজেদি গৈ 'কিভেখু' আৰু 'ছিপকিটেমাৰ' মাজত 'লই' (Loi) আৰু 'টিজু' নৈৰ (Tizu) সঙ্গমলৈকে পূবে নগাপৰ্ব্বত জিলাৰ পূব সীমা; দক্ষিণ-পূবত বাৰাইল পৰ্ব্বতশ্ৰেণী নোপোৱালৈকে 'মেমি' দেশ; দক্ষিণে বাৰাইল পৰ্ব্বত শ্ৰেণী আৰু ডিফু নৈ; পশ্চিমত এখননে দুখন গাওঁ বাহিৰত এৰি নামবৰ হাবি, এই কেউ সীমাৰ ভিতৰতে গোটেইখিনি আঙ্গামী মানুহ থকা ঠাই পৰিছে। এই ডোখৰ ঠাইও আকৌ বিভিন্ন দল অনুযায়ী কেবা অংশতো বিভক্ত। ইয়াৰ ভিতৰত খনমা দলটোৱেই মুখ্য আৰু ইহঁতকে নিভাজ আঙ্গামী বুলি কোৱা হয়। খনমা, চাছেমা, মেজমা, কিৰুফেমা, জৎচমা, কিম্বেমা আদি দুখন ডাঙৰ ডাঙৰ গাওঁ আৰু ইহঁতৰে ঠাল ঠেঙুলি ঠৈক্ৰ-জেনমা, চাছেনবামা নামে আৰু দুখন গাওঁ এই দলৰ ভিতৰত পৰিছে। সমতলৰ ওচৰৰ চুবুৰীয়া ৰাজেফিমা, চিমকেডিমা, (চামাগুটিং) কাবৱেমা, পিফিমা, ফেৰিমা, মেজুফিমা, চৌওমা (ছলমা) আৰু ছেটিকিমা আদি গাওঁ ঘাইকৈ খনমা দলৰপৰাই ওলাই আহিছে। এই কেউখন গাওঁ লৈ যিটো দল হৈছে তাক সমতলৰ ওচৰত থকা বাবে 'চাক্ৰমা' (Chakroma) দল কয়। কহিমা দলত কহিমা আৰু তাৰ ওচৰে পাঁজৰে থকা গাওঁবোৰ পৰিছে। ইয়াৰ অলপ দক্ষিণলৈ ভিশ্বেমা বা দজুনকেহেমা (Dzunokehema) বুলি যিটো দল পৰিছে সিহঁতৰ কথা বাৰ্ত্তা ঘাই খনমা আৰু কহিমা দলৰ উত্তৰ পূবে থকা চাক্ৰিমা (Chakrima) দলতকৈ অলপ অচৰপ লৰ। ভিশ্বেমা দলৰ পূবে চেক্ৰিমা, টেঙিমা আৰু মেমিৰ মাজত কেজামি বা কেজামা বুলি কেবাখনো গাওঁ পৰিছে,—তাৰ ভিতৰত কেজাকেনমা আৰু কেজাবামাই ঘাই। কেজামা দলৰ মানুহবিলাকৰ বাহ্যিক আচাৰ ব্যৱহাৰ আৰু ভাষা ঘাই আঙ্গামীবিলাকৰ লগত তেনেই নিমিলিলেও, এওঁবিলাকে আঙ্গামী আৰু কেজামা দুয়োটা দোৱানকে ভালকৈ কব পাৰে আৰু কহিমালৈ আহিলে কেৱল শুধ আঙ্গামী দোৱানেৰেহে কথা বাৰ্ত্তা হয়। কহিমা, খনমা, ভিশ্বেমা আৰু চাক্ৰমা দলৰ পৰা আচুতীয়াকৈ দেখুৱাবৰ কাৰণে সৰ্ব্বসাধাৰণতঃ চাক্ৰিমা, কেজামা আৰু কেজামাৰ কাষতে থকা মেমিবিলাকক পূব আঙ্গামী বুলি(Eastern Angami) কোৱা হয়। 'চা-ক্ৰ-মা মানে 'বাটৰ তলৰ মানুহ'—বোধকৰো চামাগুটিঙৰ পৰা কহিমালৈ যোৱা পুৰণি বাটটোৰপৰাই এনে নাম হৈছে।

গঠনত আঙ্গামীসকল কোনো গুণেই আগঢ়ী নহয়। পৰ্ব্বতীয়া মানুহৰ ভিতৰত আঙ্গামীবিলাক ওখ দীঘল,

গঠন

সৰ্ব্বসাধাৰণতঃ প্ৰায় ৫ ফুট ৯ ইঞ্চি, আৰু মাজে মাজে ছফুটলৈকে ওখ মানুহো যে পোৱা নাযায় এনে নহয়। ডেকাবিলাক তেজী, নিৰোগী, পাহুৱাল আৰু পাতল। সাধাৰণতে পূব আঙ্গামীবিলাকতকৈ খনমাৰ মানুহ শকত-আবত আৰু ডাঙৰ দীঘল।

শাৰীৰিক শক্তি আঙ্গামীবিলাকৰ যথেষ্ট আছে। এওঁবিলাকৰ সহ্য কৰিব পৰা গুণো মন কৰিবলগীয়া। থিয় পৰ্ব্বততো মূৰত একোটা গধুৰ বোজা লৈ আঙ্গামী বিলাকে প্ৰত্যেক দিনে ৩০।৪০ মাইললৈকে অনায়াসে

বাটকুৰি বাব পাৰে। এওঁবিলাকে সমতলতকৈ পৰ্ব্বতীয়া ঠাইত ফুৰিবলৈহে ভাল পায়। মূৰত একো আৱৰণ নোলোৱাকৈ জাৰ জহ, ৰদ-বৰষুণ উদং গাতেই খেদাব পৰা শক্তিও আঙ্গামীবিলাকৰ যথেষ্ট আছে; কিন্তু ভৈয়ামৰ চোকা ৰ'দ আৰু সেঙেটা জাৰহে এওঁবিলাকে নিচেই সহ্য কৰিব নোৱাৰে। আঙ্গামীবিলাকৰ মুনিহ-তিৰোতা উভয়েই বোজা কঢ়িয়াত বেছ পাকৈত। এওঁবিলাকে আমাৰ দৰে কাণমাৰিৰে বস্তু ভাৰ নবয়; বেতৰ বা উদাল গছৰ নেপটি লগাই বোজাটো পিঠিত পেলাই মূৰেৰে বৈ নিয়ে। সচৰাচৰ সকলো নগায়েই যেই সেই বস্তু হোৱাত ভৰাই মূৰেৰে কঢ়িয়াই নিয়াহে দেখা যায়।

আঙ্গামীবিলাকৰ মুখৰ গঢ় ধুনীয়া আৰু নিমজ আৰু মাত-কথাবোৰ বেছ সুৱদি। কিন্তু গঢ়-গতিৰ বিষয়ে সাধাৰণ বৰ্ণনা দিয়াটো অলপ কঠিন, কিয়নো গাঁৱে গাঁৱে আনকি ঘৰে ঘৰে আঙ্গামীবিলাকৰ আকাৰ প্ৰকাৰ আৰু গঢ়-গতিৰ কম-বেছি পাৰ্থক্য আছেই। চেপেটা নাক আৰু উখহা চকুৰে মঙ্গলিয়ান গঢ়ৰ মানুহৰ অভাব নাই যদিও জোঙা নাক আৰু ধুনীয়া চকুৰে আৰ্য্যবিলাকৰ নিচিনা মানুহো এওঁবিলাকৰ ভিতৰত অনেক আছে। সাধাৰণতঃ আঙ্গামীবিলাকৰ চকুৰ বৰণ তামবৰণীয়া কাৰো ওঁঠ পাতল আৰু কাৰোবা ডাঠ; চুলি ডাঠ আৰু পিয়—সৰুতে প্ৰায়েই ৰঙামূৰীয়া হৈ থাকে কিন্তু পিছলৈ ক'লা হয়। কেকোঁৰা চুলি প্ৰায়ে দেখিবলৈ পোৱা নাযায়। দাঢ়ি সিমান নগজে আৰু গজিলেও পাতল। দুই এখন গাওঁ বাদ দি তিৰোতাবিলাক প্ৰায়ে গঢ়িত বুলি কব লাগিব, বিশেষকৈ মন কৰিব লগা এয়েহে যে সিবিলাকৰ মাত-কথা শুনিবলৈ বৰ সোৱাদ লগা। অতি ওখ আৰু জাৰপ্ৰধান ঠাইৰ মতা তিৰোতা উভয়ৰে গাৰ বৰণ তেজগোৰা আৰু নিমজ,—গাল মুখ সদায়েই বেলি পকাৰ দৰে ৰঙা হৈ থাকে। আঙ্গামী বিলাকে নিজক পৰাপক্ষত পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰাখে আৰু সদায় গা-পা ধোৱে। আনবিলাক পৰ্ব্বতীয়া মানুহৰ গাত এই গুণটো কিছু কম। প্ৰত্যেক আঙ্গামী গাঁৱতে গা ধুবৰ কাৰণে একোডোখৰ নিৰ্দ্দিষ্ট ঠাই দেখিবলৈ পোৱা যায়। দূৰণিৰ জুৰিৰপৰা ফুটুৱা বাঁহ জোৰা দি পানী আনি শিলৰ একোটা সৰু সৰু নাদত সেই পানী গোটাই থোৱা হয়; কেতিয়াবা আকৌ ডাঙৰ শিল একোটা ফোপোলাকৈ খুলিও পানী গোটোৱা দেখা যায়। ইয়াৰ কাষতে ছাবোন থোৱা ঠাইত নগা-ছাবোন থাকেই। এই ছাবোন এবিধ আঁহ থকা লতা আৰু শিপা খুন্দি কৰা হয় আৰু ইয়াৰপৰা প্ৰায় বিলাতী ছাবোনতকৈ ভাল কামহে পোৱা যায় যেন অনুমান হয়। এই ঠাইতেই ডেকা-গাভৰু; বুঢ়া-বুঢ়ী সকলোৱে পথাৰলৈ যাওঁতে আৰু পথাৰৰপৰা উভতি আহোঁতে এখন্তেক বৈ জিৰাই শতাই গা-পা ধুই আহে। কেচুৱা লৰা-লুৰিবোৰক ঘৰতে তপত পানীৰে গা ধুওৱা দেখা যায়।

নগা জাতিৰ ভিতৰত চুলি সজোৱা ধৰণ অনেক ৰকমৰ। আছল আঙ্গামী ৰীতিমতে সমুখৰ চুলি প্ৰাকৃতিক নিয়মে গজিবলৈ এৰি দি পিছফালে একোচা টিকনি ৰাখি তাত গাঁঠি মাৰি থোৱা হয়। সেই গাঁঠি যিখিনিত পৰে তাৰপৰা তললৈ গোটেই অংশ নিমজকৈ খুৰাই পেলোৱা হয়। পূব আঙ্গামীবিলাকৰ অনেকে এই ৰীতি এৰিছে আৰু তেওঁবিলাকে পিছফালেও চুলি নুখুৰুৱাকৈয়ে ৰাখে। আগেয়ে নগাবিলাক এখন দা আৰু এডাল কাঠৰ হাঁতুৰিৰে (Sivu—ছিভু) চুলি কাটিছিল। দাখন চুলিৰ তলেদি ভৰাই হাতুৰিটোৰে টুকৰিয়াই দিয়া হয়। আজিকালি সস্তীয়া খুৰ, কেঁচি ওলোৱাৰেপৰা নগাবিলাকে এই প্ৰাচীন দস্তুৰ প্ৰায়ে এৰি পেলাইছে। এতিয়াৰ সভ্যতাৰ একণিকা পোহৰ নোসোমোৱা দুই এখন দুৰণিৰ গাৱতহে এইবিলাক দস্তুৰ এতিয়াও চলি থকা দেখা যায়।

চুলি সজোৱা প্ৰণালী

আঙ্গামী নগাবিলাকে বৰষুণত বাইৰ কাঠি আৰু জেঙোৰ বা আন তেনে জাতীয় গছ-পাতেৰে সজা এবিধ জাপি ব্যৱহাৰ কৰে, আৰু চিৰিলি চিৰিলি খেৰ বনৰে গুঠি লোৱা এবিধ পানীচোলা লেতুসেতুকৈ পিঠিত পেলাই লয়। এই খেৰবোৰ এনে ধৰণে গোঁঠা যে ইয়াৰ ভিতৰলৈ কোনোমতে পানী সোমাব নোৱাৰি ওপৰে ওপৰে বাগৰি যায়। আঙ্গামী জাপি অসমীয়া জাপিৰ নিচিনাই—কেৱল প্ৰভেদ ইমানহে যে

জাপি আৰু পানী চোলা

আঙ্গামী জাপি সৰু আৰু পিছফাললৈ ক্ৰমে জোঙনি মুৱা। ঠিক এই একে ধৰণৰেই জাপি আৰু পানী চোলা দিখৌ নৈৰ উত্তৰ পাৰে থকা কন্যাকবিলাকেও তৈয়াৰ কৰে কিন্তু এই দুয়োজাতিৰ মাজত থকা আও, লঠা, চেমা আদি জাতিয়ে ইয়াক ব্যৱহাৰ কৰা দেখা নাযায়। এই নিচিনা অনেক সাদৃশ্যৰপৰা বহুতে অনুমান কৰে যে পূৰ্ব্বতে কন্যাক আৰু আঙ্গামীবিলাক একে ঠাইতে আছিল; সময়ৰ সোঁতত তাৰপৰাহে বিভিন্ন ঠাইলৈ আঁতৰি গৈছে। যিমান দূৰ সম্ভৱ এই অনুমান যুক্তিপূৰ্ণ; কিন্তু ইয়াত সেই বিষয়ে আমি একো আলোচনা নকৰোঁ।

আঙ্গামী মুনিহৰ সাজ-পাৰ নিচেই পোন পটিৰ। কড়িৰে পাৰি বচা এবিধ ক'লা চুৰিয়াই এওঁবিলাকৰ ঘাই অঙ্গাৱৰণ। ইয়াক কঁকালত মেৰিয়াই কাপোৰৰ পেটিৰে আঁটি থোৱা হয়। প্ৰথমে পোন্ধ মাৰি তাৰ পিছত মেৰ দিয়া হয় গতিকে বাহিৰৰপৰা পোন্ধটো দেখা পোৱা নাযায়। গাত এবিধ হালধীয়া আৰু ৰঙা পাৰি দিয়া কাপোৰ চাটি মাৰি লয়। আজিকালি কোট, কামিজ, বনিয়ন আদিও সৰ্ব্বসাধাৰণত চলা দেখা গৈছে। শিক্ষিত মহলততো সাজ-পাৰৰ বিষয়ে ছাহাবী ধৰণেই চলে। আঙ্গামী মুনিহবিলাকে ডিঙিত আৰু কাণত নোৰানোৰে হাৰৰ, দাঁতৰ আৰু আন ধৰণৰ জল্‌মলাই থকা অয়-অলঙ্কাৰ পিন্ধে। ভৰিৰ কলাফুলত নগৰা আৰু হাতৰ মুঠিত থাকুৱা পিন্ধাও সচৰাচৰ দেখা যায়। ইয়াৰ উপৰিও গলধনত একোটা কৈ শঙ্খ পিন্ধা আঙ্গামীসকলৰ ৰুচিৰ নিজস্ব বিচিত্ৰতা।

মুনিহৰ সাজ পাৰ

আঙ্গামী তিৰোতাবিলাকে ঘাইকৈ এবিধ ঘোৰ নীলা আৰু এবিধ বগা গাত চটাচটে নীলা পাৰি দিয়া কাপোৰ ব্যৱহাৰ কৰে; কিন্তু মতা মানুহে লোৱা জলমলীয়া ৰঙা বা হালধীয়া পাৰি দিয়া কাপোৰো তিৰোতাক লোৱা দেখা যায়। পূব আঙ্গামী (Eastern Angami) তিৰোতাবিলাকে ৰঙা পাৰি দিয়া কাপোৰ গাত লয় আৰু ঠিক তেনে ধৰণৰেই কাপোৰ মেখেলা দৰে পিন্ধে আৰু বগা কাপোৰৰ পেটিৰে আটি থয়। সাধাৰণতঃ আঙ্গামী তিৰোতাৰ সাজ-পোছাকত চাৰিখন কাপোৰ থাকে, এখন সোঁহাতৰ কাষলতিৰ তলেদি নি বাওঁ কান্ধৰ ওপৰত গাঁঠি মাৰি বুকৰ কেউফালে আবুৰকৈ মেৰিয়াই থয়। আনখন পেটিকোট'ৰ দৰে ককালৰ তল-চোৱাত বান্ধি তাৰ ওপৰত আঠুলৈকে পৰা 'নিক্ৰ'(ককালৰ কাপোৰ—তলৰ) নামে এখন কলা কাপোৰ মেখেলাৰ দৰে পিন্ধি কাপোৰৰ পেটিৰে আঁটি লৈ এখন কাপোৰ চেলেঙৰ দৰে ঘাগৰিগতীয়াকৈ চাটি মাৰি লয়। আজিকালি কহিমাৰ আৰু কহিমালৈ সততে আহ যাহ কৰি থকা নাগিনীবিলাকে নাগ সমাজৰ উপৰিও ছেমিজ পেটিকোট, গেঞ্জি, আৰু ব্লাউজ আদিও পিন্ধে। মিশ্যনত পঢ়া কিছুমান ছোৱালীয়ে মেখেলা চেলেং পিন্ধা দেখিলে মনত আনন্দ লগাৰ উপৰিও সঁচাকৈয়ে নিচেই আপোন আপোন যেন লাগে, আৰু দেখনতো শুধ অসমীয়া পৰিয়ালৰ ছোৱালী যেন হৈ শুৱাই পৰে। নেপালী তিৰোতাবিলাকক দেখি দুই একে শাৰীও যে পিন্ধিবলৈ শিকা নাই এনে নহয় কিন্তু সাধাৰণতঃ শাৰীৰ প্ৰতি চেনেহ কম যেন দেখা যায় আৰু সেই কাৰণে ই বেছি শিপাবও পৰা নাই।

তিৰোতাৰ সাজ পাৰ

আবিয়ৈ ছোৱালীবোৰৰ চুলি পৰিষ্কাৰকৈ খুৰুৱা বা গুৰিতে কটা ৰীতি! এই ৰীতি চেমা, লঠা আৰু প্ৰায় ভাগ আও নগাৰ মাজতো আছে। কিন্তু ৰীতিমতে বিয়া-বাৰু হৈ যোৱাৰ পিছতেই ছোৱালীবোৰে চুলি ৰাখিবলৈ ধৰে আৰু বিভিন্ন খেল আৰু ফৌজ অনুযায়ী বিভিন্ন প্ৰণালীৰে চুলি সজাই পৰাই ৰাখে। খনমা আৰু কহিমা দলৰ ছোৱালীয়ে জোখাৰে চুলি গজিলেই খোপা বান্ধে আৰু যাৰ চুলি পাতল সিহঁতে ছিগা চুলিৰ বা কিনি অনা উলৰ চুলি-চং ব্যৱহাৰ কৰে। সিহঁতে কোনো অলঙ্কাৰ পাতি চুলিত নিপিন্ধে, কিন্তু আজিকালি সস্তীয়া চুলিৰ 'পিন' আৰু 'কিলিপ' প্ৰায় ভাগেই লগোৱা দেখা যায়। ভিশ্বেমা আৰু পূব-আঙ্গামী তিৰোতাবোৰে চুলি পিছফালে পিঠিত পেলাই মেলি থয় আৰু কাণৰ ওপৰত কুমৰ দুয়োফালে দুটা পিতলৰ ডাঙৰ আঙঠি একেডাল সূতাৰে যুটি দুয়োখন কাণত বান্ধি লয়। এই আঙঠি দুটাই সিহঁতৰ প্ৰাকৃতিক ৰূপত ৰাং চৰাওক নচৰাওক চুলি কোছাকে পৰ্ব্বতীয়া

তিৰোতাৰ চুলি সজোৱা প্ৰণালী

বাউলি বতাহত আউলি জাউলি নোহোৱাকৈ ৰাখে। কাচা নগা আৰু আও তিৰোতাবোৰেও এইভাৱে প্ৰায় একে ধৰণৰে আঙঠি পিন্ধে; পিছে আওবিলাকৰ আঙঠি কেবা মেৰো থাকে।

আঙ্গামী গাওঁবোৰ সচৰাচৰ পৰ্ব্বতৰ টিঙে টিঙে নাইবা টিঙৰপৰা বৈ অহা আহল বহল সমান ঠাইত পাতে। পুবা পছিমাকৈ সজা ঘৰবোৰৰ মুধ সদায়েই আগফাললৈ উঠা আৰু পিছফাললৈ ক্ৰমান্বয়ে পৰা। আঙ্গামী ৰীতিমতে সমুখৰ দুৱাৰ পুব ফালে ৰাখিব লাগে আৰু পৰাপক্ষত এই ৰীতি কেতিয়াও ভঙা নহয়। একেখন গাঁৱতে কেবা খেলৰো মানুহ থাকিলেও ইখেলৰ লগত সিখেল খৰমিহলি নোহোৱাকৈ বেলেগে বেলেগে থাকে। উদাহৰণ স্বৰূপে 'কহিমা বস্তিত' ৰচুমা, পুচাছুমা, দাফুৎছুমা- ছিটামা, হৰুৎছুমা, বিহফুমা আৰু চেৰামা নামে সাতোটা খেল আছে। এই সাতোটা খেল একে গাৱঁতে থাকিলেও ইখেলৰে সিখেলৰে মাজত শিলৰ ঢাপ একোটা ব্যৱধান আছে, আৰু প্ৰত্যেক খেললৈ সোমোৱা 'সিংহ-দুৱাৰো' (Village gate) ভিন্ ভিন্। অনেক সময়ত বিভিন্ন খেলৰ ভিতৰত শত্ৰুতা ভাবো দেখা যায়। পানী ঘাট আৰু পানী খেতিৰ (Terrace cultivation) সীমা আৰু আধিপত্য লৈ ইখেলে সিখেলে মাজে মাজে সংঘৰ্ষ হৈ থাকে। মই দেখাতে কহিমা বস্তিৰ দুটা খেলৰ মাজত পানীঘাটৰ বিষয় লৈ বাৰদিয়েক এনে কাজিয়া হয় আৰু তাৰ ফলস্বৰূপে শিলগুটিৰ কোবত অনেকৰ হাত ভৰি ভাগে। কহিমা গেৰাজৰ ৰণুৱা চিপাহীৰ ভীম মূৰ্ত্তি আৰু উচ্চ কৰ্ম্মচাৰীসকলৰ কাৰ্য্য-তৎপৰতাৰ গুণেই এনে সংঘৰ্ষ বেছি পৰ স্থায়ী হবলৈ নাপায়। তেও বুলি আজিকোপতি এই ধৰণৰ দুই চাৰিখন শোধ কহিমাৰ ডেপুটি কমিস্তনাৰৰ আদালতত চলিয়ে আছে।

আঙ্গামী গাওঁ

আও কন্যাক আৰু লঠাবিলাকৰ দৰে আঙ্গামীৰ কোনো ধৰা বন্ধা মৰঙ প্ৰণালী নাই। মাজে মাজে কোনো কোনো গাঁৱত দুই এটা আলহী থকা ঘৰ দেখা যায় আৰু তাতে কেতিয়াবা গাৱঁৰ ডেকা লৰাবোৰে বিশেষ গেনা উপলক্ষে জুম পাতি নিশা কটায়।

মৰঙ প্ৰণালী*

অৱস্থাপন্ন আৰু বিষয়বাসনা থকা আঙ্গামী মানুহৰ ঘৰৰ মুধত সমুখৰ ফালে পুৰণ চিনৰ দৰে দুডাল কাঠ আগবঢ়াই তাত পাকৈঢোৰা (Hornbill) বা মেঠুনৰ ছবি কাটি থোৱা হয়। ইংৰাজী কথাত এনেকুৱা ছবি কটা কাঠক 'হাউছ্ হৰ্ণ' House Horn বুলি কয়। আমিও ইয়াক ঘৰশিঙা বুলিয়ে কৈছোঁ।

ঘৰশিঙা House Horn

নগাবিলাকে গাঁৱৰপৰা ভালেখিনি তললৈ নামি আহি উহ্ নাইবা জুৰিৰপৰা পানী আনিব লাগে। কোনো কোনো ঠাইত এই উহবোৰ একোটা ঘোলাপানীৰ গাতঁহে বুলিব পাৰি। ঠায়ে ঠায়ে কেউফালে ডোখৰীয়া শিল জাপি বন্ধা ডাঙৰ নাদো একোটা যে দেখা পোৱা নাযায় এনে নহয়। বহ্ গাওঁ একোখনত এনেকুৱা পানীঘাট কেইবাটাও থাকে। মুঠতে তলত অপৰ্য্যাপ্ত পানী পালেও পৰ্ব্বতীয়া গাওঁবোৰত পানীৰ সমস্যাটো অলপ কঠিন ধৰণৰ। ওপৰলৈ পানী কঢ়িয়াই অনা টান বুলিয়ে হওক বা আন কিবা কাৰণেই হওক নগাবিলাকে নিচেই কম পানীৰেই কাম চলাব পাৰে।

পানীঘাট

আঙ্গামী গাওঁবোৰৰ সাধাৰণ অৱস্থাৰ বিষয়ে এইখিনিতে এষাৰ কথা যোগ নিদিলে নহয়, যদিও ই আলোচনাৰ কাৰণে বৰ উপাদেয় বিষয় যেন নালাগে। আঙ্গামীবিলাকে ঘৰবোৰ ওচৰা ওচৰিকৈ শাৰী পাতি সাজে আৰু ঘৰৰ সমুখত একোখনকৈ মুকলি চোতাল ৰাখে। চোতালৰ মূৰে দিয়েই সচৰাচৰ মানুহ দুনুহ, গৰু-ছাগলি অহা যোৱা বাট। এই বাটবোৰ একোটা জুৰি বিশেষ বুলিহে কব পাৰি, কাৰণ মানুহে ঘৰ লোৱা ঠাইতকৈ ই তলত থাকে আৰু বাৰিষা গোটেই গাৱঁৰে পানী এইবোৰ বাটেদি তলৰ জুৰিলৈ বৈ যায়। আমাৰ অসমীয়াৰ দৰে আঙ্গামী গাৱঁৰ ঘৰৰ লগতে বাৰীও লাটলাগি নাথাকে; গতিকে তুহ পতান, জাবৰ-জোথৰ যিমানেই হয় সকলো সেই বাটতে পেলায়। শৌচাচাৰ আদিও প্ৰায়ে সেই বাটতে বা চোতালৰ মূৰত নাইবা গাৱঁৰ ভিতৰৰে তেনে কোনো এচমকা মুকলি ঠাইতে

আঙ্গামী গাৱৰ সাধাৰণ অৱস্থা

* মৰঙ্ বা ডেকা-চাঙ্—আও কন্যাক আদি নগাৰ ৰাজহুৱা ঘৰ। এনে একোটা বিয়াগোম ঘৰ সচৰাচৰ আমাৰ গাওঁবোৰত দেখিবলৈ পোৱা নেযায়। বিয়া নোহোৱা ডেকাবিলাকে নিশা সাজ এই মৰঙত খায় আৰু থাকে। ই এটা ৰীতি। মৰঙত থকা ডেকাবিলাকেই গোটেই গাৱৰ হৈ ৰাজহুৱা কামবিলাক কৰে। আও নগাৰ বিষয়ে লিখোতে এই বিষয়ে বহল বৰ্ণনা দিয়া হব।

সমাধা কৰে। আমাৰ নগৰবোৰত মেতোৰৰ যি কাম নগা-গাৱঁত খাবলৈ পোহা কুকুৰ, গাহৰি * আৰু কুকুৰাই সেই কাম কৰে। আনহাতে গৰু-ছাগলি, কুকুৰা-গাহৰিয়ে এই বাট আৰু মুকলি ঠাইবোৰত সিহঁতৰ নিজা আবৰ্জ্জনা কিছু যোগ নিদিয়াকৈয়ো নাথাকে। গতিকে সৰ্ব্ব-সাধাৰণতঃ এই গাওঁবোৰে কেনে মূৰ্ত্তি পৰিগ্ৰহ কৰে তাক নেদেখিলেও ভাবি লব পাৰি। বাৰিষা দিনত এনে আবৰ্জ্জনাৰ দ'মত সৰু গাঠিৰ ওপৰলৈকে নুজুবুৰিওৱাকৈ কোনো মানুহে গাৱৰ মাজেদি খোজ কাঢ়ি সুকলমে সৰকি যাব নোৱাৰে। খা-খৰালি আকৌ এইবোৰত ধূলি আৰু মাখিৰ প্ৰকোপ কি চাবা। মুঠতে এই গাওঁ-বোৰত যেতিয়া জুই লাগে তেতিয়াহে যি হয় অলপ পৰিষ্কাৰ হয়। সেইহে হবলা বছৰি বছৰি মাজে মাজে দুই এখন গাৱঁত জুই লাগেই। উপকাৰৰ হিছাপে চালে এই জুয়ে তেওঁবিলাকৰ ক্ষতি কৰে যিমান উপকাৰ কৰে তাতোকৈ কেবাগুণেও বেছি।

আঙ্গামী নগাৰ ঘাই খাদ্য ভাত, মঙহ, অনেক তৰহৰ গছ-পাত, ফল-মূল আৰু শাক-পাচলি। এওঁবিলাকে মঙহ ভৈয়ামৰ মানুহতকৈ বেছি পৰিমাণে খায়। আঙ্গামী নগাই নোখোৱা মঙহ প্ৰায়ে নাই। গৰু, গাহৰি আৰু কুকুৰায়েই মুখ্য মাংস খাদ্য হলেও মাজে মাজে কুকুৰ, মেকুৰী আৰু বনৰীয়া চৰাই, পহু, শিয়াল কাউৰী, আদিও এওঁবিলাকে খায়। শেন আৰু চিলনি খাবলৈ বৰ ভাল বুলি কোৱা শুনা যায়। চাই-ঠেঙীয়া জন্তুৰ ভিতৰত হাতীৰ মঙহৰ কাৰণে আঙ্গামীবিলাকৰ আকাঙ্ক্ষা বৰ বেছি, যদিও আজিকালি সচৰাচৰ ইয়াক পাবলৈ টান। হাতীৰ দাঁত আৰু লাওখোলাৰ বাহিৰে সকলো অংশকেই খোৱা যায়। হাৰবোৰ ৰ'দ বতাহ পোৱাকৈ বাহিৰ ঘৰতে আঁৰি থৈ আটকে পিটকে 'লাই-পাতা' * বা আন গছ পাতৰ লগত উৰোৱাই খায়। এনেকৈয়ে এই হাৰমূৰবোৰে কেবা বছৰলৈকে তাৱৰ মৰা দেখা যায়। আন জন্তুৰ দৰে ইয়াৰো নাৰী পেটুৰ লগতে চালখনো খোৱা কামত লাগে যদিহে তাক যুদ্ধৰ ঢাল বা আন লাগতিয়াল কামত খটাবৰ দৰ্কাৰ নপৰে। একেবাৰে উৰলি যোৱা হাতীৰ মঙহো আঙ্গামী মানুহে পালে এৰি থৈ নাহে। কিছুমান জন্তুৰ মঙহ অৱশ্যে ডেকাবোৰৰ কাৰণে খাবলৈ 'গেনা' (মানা) আছে কিন্তু বুঢ়া মানুহে সকলো খাব পাৰে। উদাহৰণ স্বৰূপে এবিধ মূৰত বগা চকৰ থকা কলা চৰাই ডেকাবোৰে নাখায়। এনেকুৱা চৰাইৰ মঙহ খালে বোলে অকালতে চুলি পকে। এই দৰে বাঘৰ মঙহ মাইকী মানুহে কেতিয়াও নাখায়; আনে খালেও আখলত নিসিজায়। আনকি এনে ধৰণৰ মঙহ তিৰুতাৰ ঢাৰিপাটীৰ ওচৰত বা জুহালৰ কাষতো খাব নাপায়। ইয়াক সিজাবৰ কাৰণে চৰুও বেলেগে ৰখা হয়। ছাগলিৰ চঞ্চল গুণবোৰ সোঁচৰে বুলি আঙ্গামীবিলাকে তেওঁবিলাকৰ তিৰোতাক মতা ছাগলিৰ মঙহ খাবলৈ নিদিয়ে। অজগৰৰ বাহিৰে আন সাপ আঙ্গামীবিলাকে নাখায়। আজগৰো ভৈয়ামৰ দাঁতি কাষৰীয়া পৰ্ব্বতবোৰতহে পাবলৈ আছে গতিকে অজগৰ নাখাবও পাৰে। 'চাঙ'ৰ বাহিৰে আন জাতীয় নগা যিমানদূৰ সম্ভৱ মঙহৰ বিষয়ে আঙ্গামীবিলাকৰ দৰে সৰ্ব্বভক্ষ (Omnivorous) নহয়।

খাদ্য

আন এটা সকলোৱে ভাল পোৱা সৰ্ব্বতো প্ৰচলিত খাদ্য হৈছে আধা গেলা শুকান মাছ। এই মাছ কাছাৰ আৰু ছিলটৰপৰা কহিমা-বজাৰলৈ আহে। কেতিয়াবা এনে গোন্ধোৱা মাছ দৈয়াং আদি নৈ-কাষৰীয়া নগায়ো তৈয়াৰ কৰে। জন্তুৰ তেজ শাক পাচলিৰ লগত নেলেতিয়াই বেলেগে খাবলৈ হলে পাত্ৰত লাগি নধৰিবৰ কাৰণে পানীৰে সিজাই চুৰুহাৰ দৰে ভাতৰ লগত সানি খোৱা হয়। কেতিয়াবা চুঙা বা আন পাত্ৰত কেচায়ে ভৰাই থৈ আৱশ্যক বুজি নিমখ সানি ভাত বা আন খাদ্যৰ লগতো খোৱা দেখা যায়। শুকালে উলিয়াবলৈ টান দেখি কেঁচাই থাকোতেই দাৰ গাদি বা আন টান বস্তুৰে খুন্দিয়াই হাৰৰ মাজৰপৰা মজ্জা উলিয়াই লোৱা হয়। এই খাদ্য আঙ্গামীবিলাকৰ বিশেষ উপাদেয়। মঙহৰ ডাঙৰ

* Pigs have been described as the 'Peripatetic Sanitary installalions' of the Naga Hills—Dr Hutton.

* লাই শাক।

ডাঙৰ টুকুৰা তলত জ্বাল দি শুকুৱা হয় আৰু এই গোটা খুওৱা মঞ্চহ কেইবা বছৰৈলৈকে ব্যৱহাৰ কৰিব পাৰে। এনে মঞ্চহত সচৰাচৰ লেতা পোক বাঢ়ে আৰু এই পোকবোৰো খোৱা বস্তুৰ ভিতৰতে গণ্য হয়।

আন সকলো নগাৰ দৰে আঙ্গামীবিলাকৰ ভিতৰতো খৰিছাৰ প্ৰচলন বৰ বেছি। ইয়াক নগাৱলী ভাষাত 'খাঁচ-টেঙা' বোলা হয়। খৰিছা বনোৱা প্ৰণালী ঠিক অসমীয়াৰ দৰেই বুলিব লাগে; তাকে যেনিবা নগাবিলাকে অলপ আহল বহলকৈ কৰে আৰু গোটেইখিনি খৰিছা শুকুৱাই থয়। এই শুকান খৰিছাবোৰ সিজাই আৰু কেচাই উভয় প্ৰকাৰে খোৱা হয় আৰু কেচা খৰিছাৰ বস চিৰকাপানীৰ (ভিনিগাৰ) দৰে জহৰ দিনত খোৱা দেখা যায়।

আঙ্গামীসকলে আমাৰ বানৰটাৰ নিচিনা একেডাল কাঠৰে কটা এবিধ কাঁহীত ভাত লৈ হাতেৰে খায়। একেঘৰৰে দুই তিনজনৰ ভিতৰত একোখনকৈ এনে কাঠৰ বানকাঁহী থাকে আৰু শাক পাচলিও ভাতৰ লগতে একেলগে দিয়া হয়।

পি খোৱা বস্তুৰ ভিতৰত আন নগাৰ দৰে আঙ্গামী বিলাকৰো লাওপানীয়েই প্ৰধান। ইয়াক নগাৱলী ভাষাত মধু বোলা হয়। আঙ্গামীবিলাকে পিয়াহতো পানীৰ পৰিবৰ্ত্তে মধুহে খায়,—সেই হিছাপে চাবলৈ গলে ই তেওঁবিলাকৰ কাৰণে ভাত মাছৰ লগৰে এটা প্ৰধান খাদ্য বুলি ধৰিব লাগিব। তিনি প্ৰকাৰৰ মধু বা তেওঁবিলাকৰ নিজাকৰাত 'জু' (Zu) সচৰাচৰ চলন্তি দেখা যায়। যেনে 'লিঠা মধু (জু-ঠহ = আছল মদ), 'বহি মধু' (জু-জু) আৰু 'চাকামধু' (জু-টেহ)।

লাওপানী বা মধু

জু-ঠহ বনোৱা প্ৰণালী :—প্ৰথমতে চাউলৰ পিঠা গুন্দি লোৱা হয়। সেই পিঠাকে দুখণ্টামান বদাই আকৌ খুন্দা হয়। ইয়াৰ পিছত পাঁচ দিনমান তিয়াই থোৱা ধান গজালিৰে সৈতে খুন্দি মিহি কৰি জোখ অনুযায়ী ইয়াৰ লগত মিহলি কৰি পানী দি ডাঙৰ ডাঙৰ কলহত ভৰাই থোৱা হয়। বতৰ অনুযায়ী দুদিনৰপৰা পাঁচ দিনৰ ভিতৰত ইয়াক ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ উত্তেজক শক্তি কম আৰু আঙ্গামীসকলৰ ইয়ে সৰ্ব্বসাধাৰণতঃ প্ৰচলিত পানীয়।

জ্জু জু একেবাৰে আন প্ৰণালীৰে বনোৱা হয়, আৰু ইয়াৰ মাদকতাও প্ৰবল। ইয়াক তৈয়াৰ কৰিবলৈ প্ৰথমতে ভাত সিজাই সেই ভাত ডলা কুলা বা চালিত মেলি দি চেঁচা কৰা হয়। চেঁচা পৰিলে সেই ভাতৰ লগত আগেয়ে খুন্দি থোৱা দৰণ মিহলি কৰা হয় আৰু ভালকৈ পক হুঠালৈকে তলে ওপৰে কলপাত দি পানী সৰকিৰ নোৱাৰা বাহৰ ঘন পাচিত ভৰাই থোৱা হয়। পক উঠিলে যেতিয়া সুৱদি গোন্ধ ওলায় (তেওঁবিলাকৰ মতে) তেতিয়া তাৰ জোলটোপা ওপৰে ওপৰে নিগৰাই লোৱা হয়। এইদৰেই তিনি সপ্তাহমানলৈকে ইয়াৰ বস উলিয়াব পাৰি। কোনো কোনোৱে এই মদুক কছাৰী মদুও বোলে।

জু-জু গোটেইখিনি উলিয়াই লোৱাৰ পিছত দি ভাত থাকে তাক পানীত খচি গুলি যি পদাৰ্থ পোৱা যায় তাকে জু-ঠেহ বোলা হয়। ইয়াক খাবলৈ সিমান উপাদেয় নহয়, কিন্তু কুমলীয়া পিঠা মধুতকৈ ই ভালেখিনি উত্তেজক। কোনো কোনোৱে ইয়াক তপতাই খায় কিন্তু আঙ্গামীবিলাকে চেঁচাই খাইহে ভাল পায়। আঙ্গামীৰ ভিতৰত মণিপুৰৰ 'ছেংমাই' মদৰো প্ৰচলন কম নহয়।



ইটালি-এবিছিনিয়া ৰণ



এগাকী এবিছিনিয়াৰ যুদ্ধক্ষেত্ৰৰ ৰাজ ৰাজ (Wal Wal)ত বিমান ঘাঁসেকাৰী কামান চলাব লগিছে।



এবিছিনিয়াত ইটালি সৈন্যৰ পক্ষে পানী সমস্যাটো বৰ জটিল হৈ উঠিছে। এডেন বন্দৰৰ পৰা পানী আহাজেৰে সৈ সৈ ঢোলত ভৰাই মুকুৰ ঠাইলৈ পঠোৱা হয়। ছবিত এজন ইটালিয়ান সৈন্যই ঢোলৰ পৰা পানী খাবলৈ উলিয়াব লাগিছে।



দক্ষিণ সীমান্তত এগাকী এবিছিনিয়াৰ "মেছিনগান" ধাৰী



ৱাল ৱাল (Wal Wal) ৰক্ষাৰ নিমিত্তে মৰুভূমি, হাবি আদিৰ মাজেৰে এবিছিনিয়াৰ সৈন্যই যুদ্ধৰ সৰঞ্জাম নিব লাগিছে।



ওগাডেন (Ogaden) সীমান্তত এবিছিনিয়াৰ হিলৈধাৰী কিছুমান যুঝাৰু



এবিছিনিয়াৰ সৈন্য কিছুমান গাৰলোগুবি (Gerlogubi) নামৰ সীমান্ত ঠাইলৈ আগ বাঢ়িছে।



এডিডছ আবাবাৰ পৰা যোৱা ৰেলগাৰীৰ প্ৰতিখনতে বিদেশীদকলে ৰাজধানী এৰিব লাগিছে।



ইটালিৰ বিমান বাহিনী এবিছিনিয়াত বোমা বৰ্ষণ কৰিবলৈ সাজু হৈছে



এডিডছ আবাবা এৰি লৰিৰে জিবুটিলৈ পলাব লাগিছে

সাময়িক আলোচনা

বৰ্ত্তমান ছাত্ৰ সমাজ

বৰ্ত্তমান আমাৰ ভাৰতৰ ছাত্ৰসকলে পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ লাহ-বিলাহত নিজকে উটাই দি কেনেকৈ অকৰ্ম্মণ্য হৈ পৰিছে আৰু আগৰ কালৰ ছাত্ৰসকলে কেনেকৈ দুৰবিনটীয়া ঠাইবপৰা খোজ কাঢ়ি আহিও সুখ আৰু কলেজ কৰিছিল এই সম্পৰ্কে ছাৰ প্ৰফুল্লচন্দ্ৰ ৰায়ে এটি চিন্তাশীল প্ৰবন্ধত কৈছে—

"আজিকালি ট্ৰাম আৰু বাছ দিনে ৰাতিয়ে অহাযোৱা কৰিছে। ইয়াৰ ফলত ছাত্ৰ আৰু যুৱকসকল সমূলি এলেহুৱা হৈ পৰিছে। এতিয়া যদি কোনোবা এজন ছাত্ৰক দিনে এমাইলকৈ খোজ কাঢ়িবলৈ কোৱা হয় তেনেহলে হয়তো তেওঁ মূৰ্চ্ছা যাব। ইয়াবপৰা যে কি কুফল ফলিছে তাক কৈ অন্ত কৰিব নোৱাৰি। আজিকালি মই বিশেষজ্ঞসকলৰ লিখিত অনেক স্বাস্থ্য সম্পৰ্কীয় কিতাপ আদি পঢ়িছো। সেইবিলাকত লণ্ডন প্ৰভৃতি নগৰত বাস-বাহন বেছি হোৱাত নগৰবাসীসকলৰ স্বাস্থ্য কিমান অনিষ্ট হৈছে তাৰ উল্লেখ আছে।

"আজিকালি এজন কলেজত পঢ়া ছাত্ৰৰ মাহেকীয়া খৰচা গঢ়ে ৪০ টকাৰপৰা ৫০ টকা। সেইহে তেওঁলোক শিকাৰী সেই কাৰণে তেওঁলোকৰ যাবতীয় অভাব আৰু দাবী পূৰাবলৈ অভিভাবকসকল বাধ্য। লাহাঁতৰ খৰচ যোগাবলৈ পিতা-মাতাই মাটি-বাৰী পৈতৃক ভেটীটো পৰ্য্যন্ত বন্ধক বিবলগীয়া হয়। নিমক বৈনন্দিন অসনন বিস্ত প্ৰয়োজনীয় দ্ৰব্যবপৰা বঞ্চিত কৰি এওঁলোকে বিনৰ পাছত দিন হাহবাও হৈ চলিব লগা হয়—লবা আমুহ হব এই ভবনাত। ভবিষ্যত আশা-ভৰসাৰ স্থল এই আলহুৱা ছাত্ৰসকল বন্ধত থেতিয়া ঘৰলৈ আহে তেতিয়া গৃহস্থালীৰ কুচ্ছ কাম-বন কৰিবলৈ এওঁলোক বিচাৰি পাবলৈ নাই—এওঁলোকৰ অমূল্য সময় আড্ডা, পৰচৰ্চ্চা, তাহ-পাখা কিম্বা থিয়েটাৰ চোৱাত অতিবাহিত হয়। তাৰ উপৰিও কিছুমময় কাৰণে পিয়াসিয়া! আনপিনে, প্ৰাচীন ভাৰতৰ শিক্ষাগীয়ে যেতিয়া গুৰুৰ ঘৰত থাকি গচ-মনা কৰিছিল তেতিয়া তেওঁলোকে গো-সেৱা, খৰি বিচৰা আৰু খেতি কৰা আদি শ্ৰমসাধ্য কাম কৰিব লাগিছিল।

"হোষ্টেল বা ছাত্ৰাবাসবিলাক, বিশেষতঃ যিবিলাক ছবণাৰব তত্ত্বাবধানত পৰিচালিত, ছাত্ৰসকলক বিদেশী ভাবাপন্ন কৰি তুলিবলৈ একোটি চমৎকাৰ কাৰখানা।···আধুনিক কচি অনুসাৰে এই হোষ্টেল বিলাকত আৰাম-বিৰামৰ এনেকুৱা পৰিপাটি ব্যৱস্থা যে ৪৫, টকাৰ কমে ইয়াত কোনো ছাত্ৰবে নচলে। অনেকৰ ইয়াৰে নাটেই।"

ইয়াৰ পাছত গাৰ্হস্থ্যপৰা অহা ছাত্ৰসকলে চহৰ পালে কেনেকুৱা ৰূপ লয় এই বিষয়ে কৈছে—

"গাৰুৰপৰা ছাত্ৰ যেতিয়া চহৰলৈ পঢ়িবলৈ আহিল, চহৰৰ লবাৰ লগত তেওঁলোকৰ কচি আৰু আচাৰ-ব্যৱহাৰত চহৰৰ বং ধৰিবলৈ আৰম্ভ কৰিলে; মধ্যবীয়াসকলৰ অনুকৰণত তেওঁলোকৰ গাতো কিছুমান ব্যয়সাধ্য অভ্যাসে দেখা দিলে। অভিভাবকৰ কষ্টাৰ্জ্জিত অৰ্থ এইদৰে লাহ-বিলাহত ব্যয় কৰাত যে কিমান আৰ্থপৰতা আৰু নীচতা আছে সেই কথা কৈইজন ছাত্ৰই বিচাৰ কৰি চাই নাজানো।"

তাৰ পিছত ছিনেমা চোৱা বোগটোৱে আমাৰ বৰ্ত্তমান ছাত্ৰ সমাজৰ মাজত কেনেকৈ শিপাই ধৰিছে সেই বিষয়ে ছাৰ প্ৰফুল্লচন্দ্ৰ ৰায়ে কৈছে—

"এই বাৰ ছিনেমা ব্যাধিৰ কথা অলপ কম। ই মৰ্ম্ম নিৰ্ঘাত নিচিনাকৈ ছাত্ৰসকলক বেজেকৈ ধৰিছে। সৰু সৰু লবাবিলাকেও যা অলপাম ধৰণৰে পিতা পইছাকৈ সাচি থৈ ছিনেমাৰ টিকট কিনে। বহুত কলেজৰ ছাত্ৰ—যাৰ দেহত পুষ্টৰ অভাব দেখা যায় তেওঁলোকেও সপ্তাহে দুই একাবকৈ ছিনেমা চাবলৈ নগলে নচলে। ছিনেমাবিষাকে এফালে যেনেকৈ ছাত্ৰসকলৰ নীতিৰ আৰু স্বাস্থ্যৰ হানি কৰিছে, আনফালে তেওঁলোকৰ সামান্য পুঁজিত অম্ব কৰিছে। গন্টাৰ পাছত গন্টাকৈ অলগ বহল বহু ঘৰৰ দুষিত বায়ু সেবন কৰি একেবাহে ভুবিৰ গন্ধীলৈ যাই থকা, সকলোতকৈ বেছি ফাৰোঙ্কীণক ভাবৰ উদ্ৰেক—এই বিষাকেই হব ছিনেমাৰ সৰ্ব্বনাশী কুফল।"

তেজপুৰত বঙালী হাইস্কুল স্থাপনৰ বিৰুদ্ধে অসমীয়া বাসবি কাকতৰ অভিমত

অসমীয়া—পুৰণাদুসকে অসমত বসতি কৰি থকা এদুটী প্ৰবাসী বঙালীৰ লবা ছোৱালীহে যদি অসমীয়া ভাষা শিকিবলৈ নাপায়, কিম্বা অসমীয়া ভাষাত শিক্ষা লাভ কৰিবলৈ তেওঁলোকৰ অসুবিধা হয়, তেন্তে এই বঙালী ভদ্ৰলোকসকলে নিজৰ খৰচত একোটা হাইস্কুল খুলি তেওঁলোকৰ লবা ছোৱালীক শিক্ষা দিয়াওক। অসমৰ শিক্ষা বিভাগে এই স্কুলক recognition দিব পাৰে; কিন্তু তাইকৈ বেছি একো সাহায্য দি অসম উপত্যকাতো ছবকাৰীভাবে অসমীয়া বঙালী ভুবিৰ সুতৰ প্ৰোচকতা কৰিব নোৱাৰে। অসম উপত্যকাত এনেকে ছবকাৰীভাবে এমুঠি অভিমানী আৰু আলেহী বঙালীক উৎসাহ দিয়াতো কেতিয়াও যুক্তিসঙ্গত নহয়।

টাইমছ অব আসাম—তেজপুৰত বঙালী ছাত্ৰসকলৰ কাৰণে এখন স্বকীয়া হাইস্কুল স্থাপন কৰিবলৈ যি আন্দোলন চলিছে সেই আন্দোলন কি যুক্তিবে অসমৰ শিক্ষা বিভাগৰ ডিবেক্টৰ ছাহাবে সমৰ্থন কৰিছে আমি কব নোৱাৰো। কিন্তু আমি তৎক্ষণাৎ কব পাৰো যে এই আন্দোলনত বেছি ক্ষতি হোৱাব সম্ভাবনা আছে। এই প্ৰস্তাব যদি কাৰ্য্যত পৰিণত কৰা হয় তেনেহলে এমুঠি বঙালী আৰু অসমীয়াসকলৰ মাজত বিবোধ ভাবৰ সৃষ্টি কৰিব, আৰু ই শেষত বঙালীসকলক ভাল কবক ছাবি তেওঁলোকলৈ অভিশাপৰ নিচিনাহে হব। অসম ভেলীত, বিশেষকৈ উজনি অসমত অতি বেছি ভাগ অনাৰ্য্যাবে চিৰাব বাহন আৰু বিভিন্ন জাতিবিলাকৰ মধ্যবীয়া ভাষা (Lingua Franca) হিচাবে অসমীয়া ভাষাই সকলোতকৈ ডাঙৰ ভাষা বুলি স্বীকৃত হৈছে। এই কথা গৱৰ্ণমেণ্টেও স্বীকাৰ কৰিছে। এনেস্থলত ছবকাৰব ফালবপৰা ছবকাৰী খৰচেবে সম্পূৰ্ণ অসমীয়া ভাষাবে কথা কোৱা এখন জিলাৰ সৰৰ ঠাইত এখন স্কুলীয়া বঙালী স্কুল স্থাপন কৰাটো অন্যায়ভাবে বিধান ভঙ্গৰ কথা হৈছে আৰু সেইবেলি ইয়াৰ বিৰুদ্ধে সকলোবে বিক্ষোভ প্ৰকাশ কৰিছে।

বাতবি—বৰ্ত্তমান সমহত এটা কথা একেবাবেই সত্য—অসম উপত্যকাৰ শিক্ষাভূমীবিলাকত অসমীয়াৰ বাহিবে শিকাৰ বাহন আন কোনো ভাষাই হব নোৱাবিব।···মাতৃভাষাৰ জবীহত সকলো বিষয়ত শিক্ষা দিবলৈ একবকম স্থিব হোৱাত এমুঠি (বঙালী) লবাই অসমীয়াৰ লগত একেখন বেঞ্চত বহি পঢ়িবলৈকো নেয়া হল; এই ক্ষেত্ৰতে বামানন্দ পন্থীসকলে অসমখন এইবেবে Cultural Conquest অৰ্থাৎ বঙালী সভ্যতাৰ প্ৰভাবেবে জয় কৰিবলৈ উঠিচাই দিছে। এদিন চল পালে আমি ইটালিয়ে আবিছিনিয়াক সভ্যতা শিকাবলৈ কাবথাৰ কবাব দবে বঙালী সকলেও যে আমাক তাকে নকবিব সেই কথা কোনে জানে?

ডেকা অসম—অন্তৰাত্ম অসম মাতৃব বুকুত থাত থানি তাত বঙ্গদেশৰ বট বৃক্ষ জুপি কই, তাৰ প্ৰভাবেবে অসমীয়া জাতিৰ জীবনৰ ফল-ফুল কেঙুণি মাবি পেলাবৰ উদ্দেশ্যে, অসমৰ বন-জীগেবে পবিপুষ্ট পোৱা তেজপুৰৰ বঙালী ভাই সকলৰ এটা ডেপুটেচনে অসমীয়া বাসত বুকুৰ তৈয়েবে গৱৰ্ণমেণ্টে সাজি তোলা ছেটেলমেণ্ট অফিছটো আৰু অসম গৱৰ্ণমেণ্টৰ টকাবে তাত এখন বঙালী হাইস্কুল স্থাপন কবি তোলাৰ দাবীটো অসম শিক্ষা বিভাগৰ ডিবেক্টৰ মিঃ মুখৰ দ্বাৰা সমৰ্থন কবাই ললে।···কিন্তু পুৰণাদুসকে অসম মাতৃব অন্তগামী অসমবাসী বঙালী ভাইসকলৰ সেই ভাবৰ অনুপ্ৰেৰণাটো উদাৰ নাগৰিকতা আৰু প্ৰতিপালিনী মাতৃৰ কৃতজ্ঞতা প্ৰদৰ্শনৰ ফালবপৰা নহয়, যদি তেওঁলোকৰ সাম্প্ৰদায়িক স্বাৰ্থ-সিদ্ধিৰ মতলবৰ ফালবপৰাহে আহিছে তেনেহলে ডেকা অসমে প্ৰাণপণে তাৰ বিৰুদ্ধাচবণ কবিব। এই সম্বন্ধে ডেকা অসম দৃঢ়, অচল, অটল। সেইবাবে অসমবাসী বঙালী ভাইসকলক অন্তৰেবে অনুবোধ কবে তেওঁলোকে সাম্প্ৰদায়িকতাৰ ভাৱ একেবাবে এৰি পেলাই, বঙালী সাম্ৰাজ্যবাদৰ দুৰাকাঙ্খাবপৰা মুক্ত হৈ অসমীয়াৰ আতীয় স্বাৰ্থৰ লগত নিজৰ স্বাৰ্থ সাঙোৰ খুৱাই প্ৰকৃত অসমীয়া নাগৰিকৰ ভাব গ্ৰহণ কবক।

ইটালি এবিছিনিয়াৰ সংগ্ৰামত মহাত্মাজীৰ অহিংস নীতি

ইটালিয়ে এবিছিনিয়াৰ ওপৰত যি আক্ৰমণ অভিযান চলাইছে তাত মহাত্মা গান্ধীৰ অহিংস নীতি প্ৰয়োগ কবা উচিত বুলি "মাঞ্চেষ্টাৰ গাৰ্ডিয়েন" নামৰ এখন বিলাতী বাতবি কাকতলৈ ডণ্ডাল্ড ৰে, কে, অৱেন নামৰ এগবাকী প্ৰসিদ্ধ লোকে এই বুলি লিখিছে—

"হিংসাক হিংসাবে দমন কবাটোকে আধ্যাত্মিক অস্ত্ৰেবেহে ইয়াৰ ওপবত কিপ্ৰতৰ আৰু সম্পূৰ্ণ বিজয় লাভ কবিব পাবি। এই মত প্ৰথাণ কবিবলৈ বুৰঞ্জীত আৰু আমাৰ নিজৰ সময়তো বহুত দৃষ্টান্ত পোৱা যায়।

"অন্ততঃ এই অহিংস প্ৰথাবে অন্ততঃ কবিবলৈ গোটেই জাতিব্যাপি নিয়মানুবৰ্ত্তিতাৰ আৱশ্যক। কিন্তু সেই বুলি আৰ্দ্ধেক আৰু ইটালিয়ান সকলে একাদিনাইকতন্ত্ৰ (Dictatorship) অস্ত্ৰ-সমৰ্পণ কবিবলৈ যি নিয়মানুবৰ্ত্তিতাৰ প্ৰয়োজন ইয়াত সিমান নিয়মানুবৰ্ত্তিতা নহলেও চলে। যি সকলে এই অহিংস নীতি উদ্ভাবন কবে তেওঁলোকে অনেক দুখ-কষ্ট সহ কবিব লাগে আৰু আত্মাহুতিও দিব লগাত পবে। কিন্তু সুফল হোৱা ক্ষতিতকৈ ইয়াত বহুত কম। যদিহে বাজনীতিক আৰু ধৰ্ম্মব নেতাসকলে প্ৰজাসকলৰ মন এই অহিংস নীতিত কাবণে মানুহ কবিব পাবে তেনেহলে এবিছিনিয়াৰ সমস্তাত সকলো জাতিয়েই এই নীতি গ্ৰহণ কবি পৰীক্ষা কবি চাব পাবে।"

নতুন বুৰঞ্জী প্ৰকাশ

অসম গৱৰ্ণমেণ্টৰ 'বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ'ৰ পৰা অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱৰ দ্বাৰা সম্পাদিত তলত লিখা তিনিখন অমূল্য বুৰঞ্জী পুথি ছপাখানালৈ পঠোৱা হৈছে।

অসমীয়া বুৰঞ্জী। কেবাখনিও পুৰণি সাঁচিপতীয়া পুথিৰ সহায়েৰে এই বুৰঞ্জীৰ পাঠ যুগুত কৰা হৈছে। পুথিখন ছপা হৈ উঠিলে প্ৰায় দুশ পৃষ্ঠাত সম্পূৰ্ণ হব। পুথিত আন কথাৰ লগত এইবিলাক বিষয় পোৱা যাব, জয়ন্তীয়াৰ "খাচি" (খাচিয়া) নাম কেনেকৈ হল, জয়ন্তীয়াৰ আদি অধিপতি জয়ন্তীদেৱীৰ কাহিনী, তেওঁৰ স্বামী লাণ্ঢা চুলতানৰ ৰাজ্য লাভ, জয়ন্তাৰ পাটত জয়ন্তী দেৱীৰ ভনীয়েকৰ পুত্ৰ বৰগোহাঁই ৰাইৰ অভিষেক, জয়ন্তা ৰাজ্যত জয়ন্তীদেৱীৰ মূৰ্ত্তি উপাসনা, নিজ পুত্ৰৰ সলনি ভনীয়েকৰ পুত্ৰ উত্তৰাধিকাৰী হোৱাৰ প্ৰথা, জয়ন্তাৰ ৰজাসকলৰ নাম; জয়ন্তীয়া আৰু কছাৰীৰ মাজত বিৰোধৰ উৎপত্তি; কছাৰীৰ হাতত জয়ন্তাৰ পৰাজয়; জয়ন্তীয়া আৰু কছাৰীৰ ৰাজ্যৰ সীমা মূলাগুল সীমা নিৰ্ণয় আৰু ১৬০৩ খৃষ্টাব্দৰপৰা ১৭৪৪ খৃষ্টাব্দলৈকে অৰ্থাৎ স্বৰ্গদেৱ প্ৰতাপসিংহৰপৰা স্বৰ্গদেৱ শিৱসিংহৰ দিনলৈকে জয়ন্তাৰ ৰজা আৰু আহোম স্বৰ্গদেৱসকলৰ মাজত হোৱা ৰাজনৈতিক আৰু বৈবাহিক সম্বন্ধৰ বিস্তৃত বিৱৰণ। ইয়াৰ ভিতৰত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ জয়ন্তা বিজয়ৰ কাহিনীটো অতি বিশদভাৱে বৰ্ণোৱা আছে। পুথিৰ বিৱৰণ আদি বৰ শৃঙ্খলাবদ্ধ আৰু ভাষাও পুৰণি চানেকীয়া যদিও বৰ পৰিপাটি। ইয়াৰ উপৰিও, আগৰ দিনত অসমৰ লগত জয়ন্তীয়াৰ যি ঘনিষ্ঠ মিত্ৰতা আছিল তাক পুথিৰপৰা তলত উদ্ধৃত কৰি দিয়া কথা ফাকিৰ পৰা ভাল দৰে বুজিব পাৰি,—

"গড়গাওঁ জয়ন্তা দুই নাহয়। একঘৰ প্ৰায় সম্বন্ধ প্ৰীতিতে চলি গৈছে। পূৰ্ব্ব ছাৰি সূৰ্য্য পশ্চিমে উদয় হৈব, ক'লা কাক ধবল হৈব, ভাটীৰ লোহিত উজান চলিব, তথাপি তোমাৰ আমাৰ প্ৰীতি বাস নহৈব।"

আকৌ পুথিৰ আন এঠাইত জয়ন্তীয়া ৰজাৰ অনুবৰ্ত্তী নৰ্ত্তঙ্গৰ মাণিকসিংহ ৰজাই স্বৰ্গদেৱ জয়ধ্বজসিংহলৈ মীৰজুমলাৰ আক্ৰমণত অসমক সহায় কৰিব নোৱাৰি আক্ষেপ কৰি লিখা চিঠিৰপৰাও এনে ঘনিষ্ঠ মিত্ৰতাৰ সুন্দৰ প্ৰমাণ পোৱা যায়,—

"তোমাৰ ৰাজোন্নতি কুশল-মঙ্গল সৰ্ব্বদা বাঞ্ছি। পৰং তোমাৰ লিখা-পত্ৰ আসিয়া পৌছছিল, পৰম সাদৰে শুনিয়া বৰ সন্তোষ হৈলাম। কিন্তু যেমত মন দুখ আছিল তেমতে তোমাৰ সুস্থ বাৰ্ত্তা পায়া পৰম সন্তোষ হৈলাম। কিন্তু আমাৰ দুইজন মনুষ্য বঙ্গালত পৰিল, একাৰণ তুমি লিখিছিলাই। দুইজন কি তোমাৰ কাৰ্য্যৰ নিমিত্তে যদি দশ-বিশ হাজাৰ লোক পৰিল তথাপি আমাৰ অসন্তোষ নাছিল। আমাৰ লোক যে তোমাৰ কাৰ্য্যত নাহিল ইকাৰণে সে আমাৰ মনত অসন্তোষ হৈল। আমি এমত জানি তোমাৰ সহিত আমাৰ অচল সুহৃদ, অভেদ প্ৰীতি সকল দিন। তোমাতকৈ আমাৰ অধিক নাই। আৰ তোমাৰ চিতে আমাৰাও এমতখান লৈছি হেন জানিলাম। অন্যে অন্যে হৃদয় শুদ্ধে থাকিলে দূৰেও সন্নিহিত এমত চিত্তে লয় যেন, যো যস্য মিত্ৰং নহি তস্য দূৰম্।' অতএব এমতখান জানিয়া যে সময়ে যে কাৰ্য্য উচিত হয় সেই বাৰ্ত্তা জানাইবা, সে কাৰ্য্য আমি কৰিম। আৰ গড়গাওঁ জয়ন্তা দুই নাহয়, তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশ হে মাৰিছে, মনে এনে দুখ লাগিছে। মনুষ্য পঠালোঁ বাৰ্ত্তা জানিবাক, তাতে পথে এমত পৰিপঞ্চ হ'ল বাৰ্ত্তা নাপালোঁ। তোমাৰ দেশ বঙ্গালে মাৰিলে আমি কুশলে বসি আছিলোঁ। হুকুম নাকৰিলাম, দশ বিশ হাজাৰ লোক আমাৰ গৈয়া নাপৰিল, এইখান হে আমাৰ চিতে অধিক দুখ লাগিছে।"

এই জয়ন্তীয়া বুৰঞ্জীৰ লগতে ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত খৰামি ৰজাৰ কটকী আয়াযাত আৰু প্ৰীতি প্ৰস্তাৱ সম্পৰ্কে কিছু কথা দিয়া হৈছে। জয়ন্তীয়াৰ দৰে খৰামিৰ লগতো আহোম স্বৰ্গদেৱসকলৰ মিলা-প্ৰীতি বহুত দিনৰ পৰাই চলি আছিল। মাজতে ইয়াৰ তাৰতম্য ঘটাত পূৰ্ব্ব প্ৰীতি স্থাপনৰ অৰ্থে দুয়ো ৰাজ্যৰ কটকীৰ আয়াযাত হৈছিল। খৰামিৰ প্ৰস্তাৱত ৰুদ্ৰসিংহ স্বৰ্গদেৱে এইদৰে উত্তৰ দিছিল,—

"পূৰ্ব্বতো এই প্ৰীতি আছিল, সেই হাট-বাটখনো আছে। গতাগত হলে প্ৰীতি অধিক আনন্দ হে পায়। ইয়াত কোনো বৈগুণ নাই। যদি ঘটিল গড়গাওঁ খৰামি, খৰামি গড়গাওঁ।"

জয়ন্তীয়া আৰু খাচিয়াৰ লিখিত বুৰঞ্জীৰ অভাৱত "জয়ন্তীয়া বুৰঞ্জী" সকলোৰে কাৰণে অমূল্য সম্পত্তি হব, আৰু গোটেই জগতত অসমীয়া বুৰঞ্জী সাহিত্যৰ বিবিধমুখী সম্ভাৰৰ কথা প্ৰচাৰ কৰিব।

কছাৰী বুৰঞ্জী—এই বুৰঞ্জীৰ পাঠো কেবাখনো সাঁচিপাতীয়া পুথিৰপৰা যুগুত কৰা হৈছে। ছপাত প্ৰায় ১৫০ পৃষ্ঠামান হব। পুথিখনত ঘাইকৈ এইবিলাক বিষয় লৈ লিখিছে,—শদিয়াল আৰু হেড়ম্বিয়াল কছাৰীৰ উৎপত্তি

আৰু ৰাজ্য স্থাপন, কছাৰী আৰু আহোমৰ মাজত বিৰোধৰ সূত্ৰ, আহোম আৰু কছাৰীৰ যুদ্ধত স্বৰ্গদেৱ চুহুন্মুঙ্গ দিহিঙ্গীয়া ৰজাৰ আদেশমতে কনচেঙ্গ বৰ পাত্ৰৰ কছাৰী ৰাজ্য জয়, আৰু তাৰ কিছুদিনৰ পাছত কছাৰীৰ বৰচেটিয়া, খুমডাং দলৈ আদি কিছুমান বিষয়াৰ ভগনীয়া কছাৰীক স্বৰ্গদেৱে ৰজা দি থাপিবৰ অনুৰোধ, এই বিষয়ে স্বৰ্গদেৱৰ ডাঙৰীয়া সকলৰে পৰামৰ্শ আৰু শেষত আহোম-কছাৰীৰ ৰণত মৃত কছাৰী ৰজা ডেৰচোংফাৰ পুত্ৰ মদন কোঁৱৰক মুক্তি দি নিৰ্ভয়নাৰায়ণ নামে কছাৰী ৰাজপাট দিয়াৰপৰা অৰ্থাৎ স্বৰ্গদেৱ চুহুন্মুঙ্গৰ দিনৰ (১৪৯৭ খৃঃ) পৰা স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ (১৭১৪ খৃঃ) দিনলৈকে কছাৰী আহোমৰ থাপিত সাঞ্চিত হৈ থকাৰ বিৱৰণ। স্বৰ্গদেৱ চুহুন্মুঙ্গে মদন কোঁৱৰক কছাৰীৰ ৰজা পাতোঁতে এই নিবন্ধ কৰে,—

"পহুটো পা যদি ১টা পিৰা মোলৈ, ১টা পিৰা বুঢ়াগোহাঁইলৈ আগ কৰিবি তেহে খাবি। আৰু ১টা খুমডাং ২০ মানুহ সহিতে মোৰ লগত থাকিব। বৎসৰ উদানে তোৰ কুশলাদি বাৰ্ত্তা জনাই পঠাবি। ই ফৈদ যাব, সি ফৈদ আহিব। আৰু ৺দেৱলৈ ঘোৰা ২টা মোলৈ ২টা ঘোৰা, বুঢ়াগোহাঁইলৈ ২টা ঘোৰা, বৰচেটিয়ালৈ ১টা ঘোৰা, এই ৭টা ঘোৰা দিবি।"

কছাৰী যে আহোমৰ স্থাপিত সাঞ্চিত আছিল সেই বিষয়ে তলত দিয়া কথা ফাকিৰ পৰাও বুজা যায়,—

"পাচে ভীমবল ৰাজায়ো পাত্ৰ-মন্ত্ৰী সমস্তৰে আলোচনা কৰি এইখান বুলিলে, বোলে,—'স্বৰ্গ-মহাৰাজা পূৰ্ব্বে যেনেকৈ থাপিছে এখনো কন্যা দিয়া থাপোক'।"

আকৌ আন এঠাইত এইদৰে আছে,—

"পাচে ৰাজা (বীৰদৰ্প) পাত্ৰ-মন্ত্ৰী সহিতে আলোচনা কৰি বোলে,-'স্বৰ্গমহাৰাজা পূৰ্ব্বে কন্যা দিয়া থাপিছে-সাঞ্চিছে নিমিত্তে এখন বুলিবাক পায়'।"

বাহাৰিস্তান-আই-ঘাইবি—এই পুথিখন পাৰ্চী ভাষাত লিখা এখন বৃহৎ বুৰঞ্জী। মূল পুথিখন পেৰিছৰ 'নেছনেল লাইব্ৰেৰীত" আছে। ঢাকা বিশ্ববিদ্যালয়ে ইয়াৰ ফটোগ্ৰাফিক নকল এখন উক্ত পুথি ভড়ালৰপৰা সংগ্ৰহ কৰে। ঢাকা বিশ্ববিদ্যালয়ৰ পাৰ্চী আৰু উৰ্দ্দু বিভাগৰ মুখ্য অধ্যাপক ডাক্তাৰ মইদুল ইছলাম বৰা, এম-এ, পি-এইছ-ডি ডাঙৰীয়াই ইয়াক "বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ"ৰ কাৰণে ইংৰাজীলৈ অনুবাদ কৰিছে। এই ইংৰাজী অনুবাদখন বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে প্ৰকাশ কৰিবৰ নিমিত্তে ছপাখানালৈ পঠাইছে। পুথিখন দুই খণ্ডত ছপা হব। প্ৰত্যেক খণ্ডত প্ৰায় ৬০০ পৃষ্ঠা থাকিব।

পুথিখন ঘাইকৈ এইবিলাক বিষয় লৈ লিখা, সপ্তদশ শতাব্দীৰ আগ ভাগত অৰ্থাৎ মোগল সম্ৰাট জাহাঙ্গীৰৰ ৰাজত্ব কাল আৰু ছাহজাহানৰ ৰাজত্বৰ পূৰ্ব্ব ভাগত মোগলে বঙ্গ আৰু অসমত আধিপত্য বিস্তাৰৰ মন কৰি এদল সৈন্য পঠায়। সেই মোগল বাহিনীয়ে আহি ব আৰু অসমৰ লগত কৰা যুদ্ধ বিগ্ৰহ, উভয় পক্ষৰ জ পৰাজয়, বিহাৰ আৰু উৰিষ্যাৰ লগত হোৱা মোগল সমসাময়িক সংঘৰ্ষ, মোগল সেনাৰ হাতত বঙ্গ আ উৰিষ্যাৰ প্ৰজানায়কসকলৰ সম্পূৰ্ণ দমন আদিৰ বৃত্তান্ত বিতংভাৱে লিখা আছে।

মোগলৰ লগত আহোম, কোঁচ, কছাৰী, অসমৰ পৰ্ব্বতীয়া জাতি, ছিলঠৰ আফগানসকল, আৰু ত্ৰিপুৰা ৰজাৰ যুদ্ধ বিগ্ৰহ সন্ধি আদিৰ বিৱৰণবোৰ বহলাই লিখিছে। ইয়াত বাজেও আহোম আৰু কোঁচ ৰজাৰ ৰাজনৈতিক অৱস্থা, এই দুই ৰাজ্যৰ সামাজিক আৰু অৰ্থনৈতিক অনুষ্ঠানবোৰৰ আনুষঙ্গিক উদাহৰণাদি ভালেমান কথা পোৱা যায়।

এই পুথিখনৰ লিখক সুদক্ষ বুৰঞ্জীবিদ মীৰ্জ্জানাথ উক্ত মোগল বাহিনীৰ লগত আহিছিল, আৰু নিজে দলৰ লগে লগে ঘূৰি পকি ফুৰি যুদ্ধ বিগ্ৰহবোৰত ভাৱে যোগ দিছিল। তেওঁ হাজোত ফৌজদাৰ আছিল। তেওঁ নিজ চকুৰে দেখা ঘটনাবোৰৰ আৰু যুদ্ধবোৰৰ বিৱৰণ "বাহাৰিস্তান-আই-ঘাইবি" লিপিবদ্ধ আছে।

মহিলা জগত

ভাৰতীয় মহিলাৰ আদৰ্শ

স্বামী পাটনা মহিলা সম্মিলনীৰ জৰীয়তে অলপতে পাটনাত দেৱতা এখন মহিলা সভাত থিয়ছফিকেল ছোছাইটিৰ সভাপতি এৰাণ্ডেলৰ ভাৰ্য্যা শ্ৰীযুতা ৰুক্মিণী দেৱীয়ে ভাৰতীয় মহিলাসকলৰ আদৰ্শৰ বিষয়ে ফঁহিয়াই এটি হৃদয়গ্ৰাহী বক্তৃতা দিয়ে। তেওঁ বক্তৃতা প্ৰসঙ্গত কয়—

পশ্চিমৰ নাৰীসকলে স্বাধীনতা কামনা কৰি বহু পৰিমাণে সেই স্বাধীনতা লাভ কৰিবলৈ সমৰ্থ হৈছে। ত তেওঁলোকে পুৰুষৰ সৈতে সমান অধিকাৰ বিচাৰে। ইকাৰণে কি শিক্ষাত, কি ব্যৱসায়ত সকলো ক্ষেত্ৰতে তেওঁলোকে প্ৰতিযোগিতা কৰিছে, অথচ ঘৰুৱাহী কামতো তেওঁলোক উদাসীন নহয়। তথাপিও পশ্চিমৰ নাৰী সুখী হোৱা নাই। যিমানেই তেওঁলোক আগ বাঢ়িছে সিমানেই যেন তেওঁলোকে সুখ হেৰুৱাইছে। ভাৰতবৰ্ষত তেৰোতা বাল্য বিবাহ, অকাল মাতৃত্ব, অজ্ঞতা আৰু দাৰিদ্ৰ্যত জৰ্জ্জৰিত আৰু তেওঁলোকৰ দুৰ্দ্দশাৰ যথেষ্ট কাৰণ বৰ্ত্তমান থকা সত্বেও তেওঁলোক পশ্চিমৰ তিৰোতাৰ দৰে যেন অসুখী নহয়, তেওঁলোকৰ শত লাঞ্ছনা আৰু দুৰ্দ্দশাৰ মাজতো তেওঁলোকে যেন শান্তি আৰু পৰিতৃপ্তিৰ সাৱাদ পায়; কাৰণ পুৰুষৰ লগত প্ৰতিযোগিতা তেওঁলোকৰ আদৰ্শ নহয়। পুৰুষতকৈও উন্নতিৰ পদ তেওঁলোকে কামনা কৰে, কাৰণ তেওঁলোক মাতৃ, পৰিবাৰ আৰু সমাজৰ অধিষ্ঠাত্ৰী দেৱী।

ইয়াৰ পিছত বৰ্ত্তমান ভাৰতীয় নাৰীয়ে পশ্চিমীয়া তিৰোতাৰ আদৰ্শ অনুকৰণ কৰাৰ পৰিণতিৰ বিষয়ে ৰুক্মিণী দেৱীয়ে এই বুলি কয়—দুখৰ বিষয় পশ্চিমৰ ... আমাৰ তিৰোতা সকলৰমাজত অনেক পৰিমাণে কৃত্ৰিমতা আহি উপস্থিত হৈছে। অন্তৰৰ সেই মহান আদৰ্শৰ ঠাইত বাহিৰৰ চাক-চিকুণৰ উপাসনাত তেওঁলোক আজি তন্ময়। বৰ্ত্তমানৰ শিক্ষা পদ্ধতিয়ে অনুকৰণৰ নিচা আৰু বঢ়াই তুলিছে। সস্তা ডিগ্ৰীৰ মোহত আমাৰ ছোৱালীবিলাকে তেওঁলোকৰ স্বাস্থ্য বিসৰ্জ্জন দিছে। কিন্তু এই শিক্ষা তেওঁলোকৰ পক্ষে কোনোমতেই উপযোগী নহয়। কাৰণ ভাৰতীয় নাৰীত্বৰ আদৰ্শ অনুসাৰে নিজক গঢ়ি তুলিবলৈ ই কোনো ৰকমে সহায় নকৰে। আমাৰ শিক্ষা পদ্ধতি চৰিত্ৰ গঠনৰ পক্ষে অনুপযোগী, কাৰণ ইয়াত ধৰ্ম্ম শিক্ষা নাই। হিন্দু নাৰীয়ে এইবিলাক বিদ্যালয়ত তেওঁলোকৰ ধৰ্ম্ম সম্বন্ধে প্ৰকৃত জ্ঞান লাভ কৰিব নোৱাৰে।...ভাৰতীয় নাৰীৰ দয়া মমতা চিৰ প্ৰসিদ্ধ। ভাৰতবৰ্ষৰ নাৰী কেৱল নৰ-নাৰীৰ দুখ কষ্টতেই যে ব্যথিত হয় এনে নহয়। কীট পতঙ্গ, পশু পক্ষীৰ কাৰণেও তেওঁলোকৰ মনত কৰুণাৰ উদ্ৰেক হয়। আজি সেই আদৰ্শ ক'ত? বিদেশৰ মোহে আমাক ইমানেই অন্ধ কৰিছে যে বিচাৰ নকৰাকৈ আমি দেশৰ সমাজ ব্যৱস্থাৰ নিন্দা কৰি পশ্চিমৰ আদৰ্শত সেইবিলাক সংস্কাৰ কৰিবলৈ বিচাৰো। কিন্তু আমি ভাবি নাচাওঁ যে পশ্চিমৰ ৰীতি-নীতি তেওঁলোকৰ দেশত সকলো সময়তে সুফলপ্ৰদ হৈছে নে নাই। আমাৰ দেশত পাত্ৰ পাত্ৰী নিৰ্ব্বাচনৰ ভাৰ পিতৃ-মাতৃৰ ওপৰত—ইয়াৰ সলনি পশ্চিমৰ অনুকৰণত আমি পাত্ৰ-পাত্ৰীৰ নিৰ্ব্বাচনৰ ভাৰ তেওঁলোকৰ ওপৰতে অৰ্পণ কৰিব খোজো। পশ্চিমৰ বিবাহ বিচ্ছেদ মোকৰ্দ্দমাৰ সংখ্যাৰ বৃদ্ধি দেখি এই আদৰ্শ ভালনে ... আৰু ই আমাৰ দেশত কল্যাণকৰ হবনে নহয় সন্দেহ হৈছে। আমাৰ তিৰোতাসকল চিৰকাল সৌন্দ...

উপাসক। আমি বৰ্ত্তমান যুগৰ জীৱন সংগ্ৰামত সুন্দৰৰ উপাসনা পাহৰি পেলাইছোঁ। আমাৰ প্ৰধান কৰ্ত্তব্য ভাৰতীয় নাৰীক বুজাই দিয়া যে আমাৰ সনাতন আদৰ্শ পুনঃ প্ৰতিষ্ঠিত কৰিব লাগিব আৰু ভাৰতীয় আদৰ্শত নিজকে গঢ়ি তুলিব লাগিব; মন-প্ৰাণ ভাৰতীয় হব লাগিব। তেনেহলেহে আমি বিশ্ব-সংসাৰত আদৃত হম আৰু আমাৰ এই আদৰ্শ অন্যান্য দেশৰ নাৰীসকলেও গ্ৰহণৰ যোগ্য বুলি যেন ভাবে এয়েই হব বিশ্ব নাৰীসমাজত ভাৰতীয় নাৰীৰ দান।

এবিছিনিয়া মহিলাৰ দেশপ্ৰেম

ইটালি আৰু এবিছিনিয়াৰ মাজত বিৰোধ ঘনীভূত হোৱাৰ লগে লগেই এবিছিনিয়াৰ শিক্ষিত নাৰী সম্প্ৰদায়ে নিজ দেশ ৰক্ষাৰ কাৰণে যি বীৰোচিত উক্তি কৰিছে



এবিছিনিয়াৰ সম্ৰাজ্ঞী (সোঁফালে) আৰু তেখেতৰ এগৰাকী কন্যা

আৰু তাৰ বাবে কাৰ্য্য হাতত লৈছে ইয়াৰ দ্বাৰা তেওঁলোককৰ জ্বলন্ত দেশপ্ৰেম প্ৰকাশ পাইছে। এই নাৰী সকলৰ নেতৃত্বৰ ভাৰ গ্ৰহণ কৰিছে এবিছিনিয়াৰ সম্ৰাজ্ঞী ৱেইজেৰু মেনেনে। (Waizeru Menen) ১৯১২ চনত এখেতৰ লগত বৰ্ত্তমান ইথিয়পিয়াৰ সম্ৰাট ৰেছ টেফাৰিৰ বিয়া হয়। সম্ৰাজ্ঞীৰ এতিয়া তিনটা লৰা আৰু তিনি জনী ছোৱালী জীৱিত আছে।



নাৰীসকলৰ এখন সভাত এগৰাকী এবিছিনিয়া মহিলাৰ প্ৰৱেশ

ইটালিৰ লগত এবিছিনিয়াৰ যুদ্ধ আৰম্ভ হোৱা আগতে সম্ৰাজ্ঞী মেনেনে ১৬ দিন উপবাসে থাকি দুয়োখন দেশৰ মাজত শান্তি প্ৰতিষ্ঠাৰ কাৰণে ঈশ্বৰৰ ওচৰত



এবিছিনিয়াৰ এজন জেনেৰেলৰ পত্নী। এওঁ স্বামীৰ লগত একেলগে যুদ্ধ কৰিম বুলি ঘোষণা কৰিছে।

প্ৰাৰ্থনা কৰি কৈছিল—"মই ১৬ দিন উপবাসে থাকি প্ৰাৰ্থনা কৰিছো যেন ইথিয়পিয়া আৰু পৃথিবীত শান্তি

১৬৬+১৫

প্রতিষ্ঠিত হয়। মই পৃথিবীৰ নাৰীসকলক মোৰ উপাসনাত যোগ দিবলৈ অনুৰোধ কৰিছোঁ। মই অৱশ্যে শান্তিৰ কাৰণেহে প্ৰাৰ্থনা কৰিছো ; কিন্তু যদি আমাৰ চেষ্টাৰ



নাৰী সমিতিৰ সভানেত্ৰী। এওঁৰ এগৰাকী অতি ধনী তিৰোতা বুলি জনাজাত।

সত্ত্বেও শান্তি ভঙ্গ কৰা হয় তেন্তে আক্ৰমণকাৰীসকলৰ বিৰুদ্ধে মোৰ প্ৰজাবৰ্গক মইেই পোন-প্ৰথমে উত্তুদ্ধ কৰি



দেশদেৱাত আত্মনিয়োগ কৰা এবিছিনিয়াৰ নাৰীসকলৰ এগৰাকী নেত্ৰী।

তুলিম। সম্ৰাজ্ঞী টেইটুৱে তেওঁৰ দিনত যি কৰিছিল মহো আজি তাকেই কৰিম।"

সম্ৰাজ্ঞী টেইটুৱে ১৮৯৬ খৃষ্টাব্দত ইটালিৰ বিৰুদ্ধে এডোৱাৰ যুদ্ধক্ষেত্ৰত এদল নাৰীক লৈ সৈন্যসকলক উৎসাহিত কৰিছিল।



এবিছিনিয়াৰ এগৰাকী নাৰ্ছ বা ধাই।

বৰ্ত্তমান এবিছিনিয়াৰ নাৰীসকলে স্পষ্টকৈ ঘোষণা কৰি কৈছে যে তেওঁলোকে সমৰ ক্ষেত্ৰত মুঠি সকলক প্ৰৰোচিত কৰিব। মোৱা ১৮ জুলাই



ৰণধ্বনি সংগ্ৰহৰ কাৰণে এডিছ আবাবাত পতা এগন মহিলা সভা

এবিছিনিয়াৰ সম্ৰাটে সৈন্য, বেগাৰী, গেতিয়ক, লৰা-বুঢ়া মত্তা-মাইকী সকলোকে ইটালিৰ বিৰুদ্ধে যুদ্ধত সহায় কৰিবলৈ যি আহ্বান কৰিছিল সেই আহ্বানৰ কাৰ্য্যতঃ প্ৰত্যুত্তৰ দিবলৈ আজি এবিছিনিয়াৰ নাৰী সম্প্ৰদায়

ব্যস্ত হৈ উঠিছে। সম্ৰাটে কৈছিল—"আগৰ দৰেই আজিও নাৰীসকলে দেশ ৰক্ষাত নিজৰ অংশ গ্ৰহণ



ছ বছৰ বয়সীয়া এবিছিনিয়াৰ এজনা বালিকা



এবিছিনিয়াৰ তিৰোতাসকলৰ বেড ক্ৰছ ছোছাইটি

কৰিব, সৈন্যবিলাকক উৎসাহ দিব আৰু আহতসকলক শুশ্ৰূষা কৰিব।"

সম্ৰাটৰ এই আহ্বান পালন কৰি এডিছ আবাবাত নাৰী সকলৰ এটি ৰেড ক্ৰছ ছোছাইটি বা চিকিৎসা সংঘ স্থাপিত হৈছে। ইয়াৰ উপৰিও নাৰীসকলৰ চেষ্টা একত্ৰ কৰিকাম কৰিবলৈ এটি নাৰী সমিতি গঠন কৰা হৈছে। মোৱা পহিলা আগষ্ট তাৰিখে "গ্ৰাক সভা হল"



এডিছ আবাবাৰ মেয়ৰৰ পত্নী

অলিম্পিয়াত এথনি ভাঙৰ সভা হৈছিল। সেই সভাত প্ৰায় ৩০,০০০ পেলাৰ্ছ (এবিধ মুদ্ৰা) সংগৃহীত হয়। সেই সভাতে এই বুলিও ঘোষণা কৰা হৈছিল যে পশ্চিম খোৱা প্ৰদেশৰ তিৰোতাসকলে নাৰী সমিতিৰ কাৰণে ১২০,০০০ মুদ্ৰা সংগ্ৰহ কৰি পঠিয়াইছে।

———

সম্পাদকীয়

বছর বিদায় উপলক্ষে

বাইজর অনুগ্রহত "আৱাহন"ৰ ৬ষ্ঠ বছৰ উকলিল। যোৱা এই বছৰটোত কাকতখন অনিয়মীয়া হৈ পৰা বাবে সহৃদয় বাইজৰ ওচৰত আমি আমাৰ ত্রুটী স্বীকাৰ নকৰি পৰা নাই—যদিও সি ইচ্ছাকৃত নহয়। আমাৰ সজ আৰু ঐকান্তিক ইচ্ছাক আগত লৈ গোটেই বছৰটো বেমাৰৰ লগত যুজিবলগীয়া হোৱাত ইচ্ছানুযায়ী আমাৰ চেষ্টা সম্পূর্ণ সফল নহলেও কিমানখিনি নিয়মীয়া ওচৰ চপাই অনা হৈছে তাক গুণগ্রাহী বাইজে দেখিছেই। এই সংখ্যাটো আৰু আগুৱাই নিয়মীয়া হোৱা সম্ভৱ হ'লহতেন; কিন্তু একেই কলিকতীয়া ছাপাখানা তাতে আৰু বঙ্গ দেশৰ পূজাৰ দীঘলীয়া বন্ধই বেমেজালি ঘটালে।

সি যি হক অহা নতুন (৭ম) বছৰ নতুন উৎসাহ আৰু প্রেৰণাৰে আৱহ কৰিব পৰা যাব বুলি আশা কৰিছো। "আৱাহন"ৰ লিখক-লিখিকা, গ্রাহক-গ্রাহিকা আৰু অনুগ্রাহক-অনুগ্রাহিকা সকলৰ ওপৰতে কাকতখনৰ উত্তৰোত্তৰ শ্রীবৃদ্ধি বিশেষকৈ নির্ভৰ কৰে। আমি আজি মুক্তকণ্ঠে স্বীকাৰ নকৰি নোৱাৰোঁ যে তেখেতসকলৰ সহযোগিতা আৰু সহানুভূতি আশানুৰূপে পাই থকা বাবেহে আমাৰ ব্যক্তিগত ত্রুটী-বিচ্যুতি বহু ঘটা সত্ত্বেও "আৱাহন" এনেদৰে চলি আহি ৭ম বছৰলৈ আগ বাঢ়িব পাৰিছে। এই বাবে আমি তেখেতসকলৰ ওচৰত কৃতজ্ঞ।

অহা নতুন বছৰলৈ গোন প্রথমতে কাকতখন নিয়মীয়া কৰি তাক নতুন আৰু উন্নত সাজ পাৰেৰে তুলিম। সুমোন্নতিৰ বাটত আগুৱাই আনিবলৈ আমাৰ প্রৱল মহো আজি তাকেই প্রকাশ নকৰি নোৱাৰিলোঁ। আমি আশাকৰোঁ "আৱাহন"ৰ মঙ্গলাকাঙ্খীসকলৰ শুভাশীর্ব্বাদকণ সহযোগিতা পাই থাকিম।

ইটালি-এবিছিনিয়ান যুদ্ধ

গোটেই পৃথিবীৰ জনমত উপেক্ষা কৰি ইটালিয়ে আফ্রিকাৰ একমাত্র স্বাধীন ৰাজ্য এবিছিনিয়াৰ লগত যুদ্ধ আৰম্ভ কৰিলে। ৰাষ্ট্রসঙ্ঘ কৰবাতে পৰি থাকিল, কোঁলগ পেষ্ট আদিৰ নিচিনা চুকি চুকি হৈয়ে ৰল। এইবিলাকে মুছলিনিক কোনো বাধা দিব নোৱাৰিলে। পৰিশেষত মুছলিনিৰ দম্ভই ৰজিল।

কিন্তু দাম্ভিক মুছলিনিয়ে দেশ-দম্ভৱমতে যুদ্ধ ঘোষণা কৰাৰ প্রথাও উলঙ্ঘন কৰিলে। ছবকাৰীভাৱে ইটালিয়ান গৱৰ্ণমেণ্টৰপৰা যুদ্ধ ঘোষণা কৰাৰ কোনো পত্র এবিছিনিয়ান গৱৰ্ণমেণ্টলৈ যোৱা নাছিল। কিন্তু এবিছিনিয়াৰ সৈন্যৰ ওপৰত বোমা নিক্ষেপ কৰাৰ পাছতহে ইটালিয়ান সৈন্যৰ জেনেৰেল ডে'ল বণ'ৰে নিজ গৱৰ্ণমেণ্টৰ যুদ্ধ কৰাৰ অভিপ্রায় এবিছিনিয়ান প্রজাসকলৰ মাজত ব্যক্ত কৰিছিল। ইয়ো যুদ্ধ ঘোষণা কৰাৰ এক অভিনব প্রথা।

যেই হওক এবিছিনিয়াত ইটালিৰ আক্রমণ পূর্ণমাত্রাই চলিব লাগিছে। ইটালিয়ান সৈন্যৰ হাতত এবিছিনিয়াৰ অনেক সংখ্যক সৈন্য আৰু তাৰ লগে লগে কিছুমান নিৰীহ প্রজাও নিহত হৈছে আৰু কেবাখনো চহৰ ইটালিৰ দ্বাৰা অধিকৃত হৈছে। অৰ্দ্ধ শিক্ষিত বা অশিক্ষিত হাবহী সৈন্য-বিলাকে শিক্ষিত ইটালিয়ান সৈন্যৰ বিৰুদ্ধে সদুখ যুদ্ধ দিব নোৱাৰি দিনে দিনে পিছ হুটকি যাব লাগিছে। এই কাৰণে ইটালিয়ান সৈন্যই বিনা আয়াসতে বা অল্প আয়াসতে নতুন নতুন ঠাই অধিকাৰ কৰি পুনৰ শত্রুৰে আক্রমণ কৰিব নোৱাৰাকৈ সেই ঠাইবিলাক সুৰক্ষিত আৰু দৃঢ়তৰ কৰি তুলিছে। এতিয়ালৈকে এবিছিনিয়াৰ উত্তৰ ফালে প্রায় ৩০০ মাইল ব্যাপি ভূমিখণ্ড ইটালিৰ অধিকৃত হৈছে। কোনো ফালৰপৰা বিশেষ হকা-বাধা নাপাই ইটালিয়ান সৈন্যই মহোল্লাসে নবমেধ যজ্ঞ পাতিব লাগিছে।

ৰাষ্ট্রসঙ্ঘ আৰু অর্থনৈতিক হেঁচা

ইটালিয়ে এবিছিনিয়াক গোন প্রথমে আক্রমণ কৰাৰ কাৰণে ইটালিক ৰাষ্ট্রসঙ্ঘৰ কমিটীয়ে দোষী সাব্যস্ত কৰিছে। ৰাষ্ট্রসঙ্ঘৰ নিয়ম-তন্ত্রমতে এই সঙ্ঘৰ কোনো সভ্যই আন কোনো সভ্যক আক্রমণ কৰিলে আক্রমণকাৰীক বাকী সকলো সভ্যই জুই-পানী নিষিদ্ধ কৰি দণ্ড বিহিব লাগে। সেইদেখি এই নিয়ম অনুসাৰে জাতিসঙ্ঘৰ প্রায় সকলো সভ্যহেঁ একমত হৈ ইটালিৰ বিৰুদ্ধে অর্থনৈতিক হেঁচা প্রয়োগ কৰাৰ সিদ্ধান্ত কৰিছে। এবিছিনিয়াৰ প্রতি তথা পৃথিবীৰ দুর্ব্বল জাতিৰ প্রতি যাৰ কিঞ্চিৎমানো সহানুভূতি আছে তেওঁলোক জাতিসঙ্ঘৰ সভ্য নহলেও সঙ্ঘৰ উক্ত সিদ্ধান্তত নিশ্চয় সন্তোষ প্রকাশ কৰিব।

কিন্তু ৰাষ্ট্রসঙ্ঘই এই সিদ্ধান্ত কৰাতে কৰোতেই আৰু ইয়াক কার্য্যত পৰিণত কৰিবলৈ দিন-বাৰ গণোতেই ভালেখিনি দিন অতীত হল। ইতিমধ্যে ইটালিয়ে অর্থনৈতিক হেঁচা প্রতিৰোধ কৰিবলৈ সুফল পালে। ৰাষ্ট্রসঙ্ঘৰ সভ্যসকলৰ এই গহবিৰ কাৰণ হৈছে যে এওঁলোকৰ বৰ মুবীয়াদকলৰ প্রাণত এতিয়াও আশাৰ বস্তি দিমিক-দামাককৈ অলি আছে, কিজানিবা ইটালি-এবিছিনিয়াৰ মাজত এতিয়াও শান্তি স্থাপন কৰিব পাৰি। এই বিষয়ে ফ্রান্সেই অগ্রণী শান্তিদূত। ফ্রান্সৰ ভয় জানোচা ইটালিৰ বন্ধুত্ব হেকৰালে ভবিষ্যতে জার্ম্মেনিয়ে আক্রমণ কৰিলে ফ্রান্সৰ অৱস্থা শোচনীয় হয়। সেই দেখি ফ্রান্সৰ প্রধান মন্ত্রী মং লাভালে এনেকুৱা কিছুমান শান্তিৰ প্রস্তাৱ দাঙি ধৰিছিল যে এইবিলাক মানি চলিলে এবিছিনিয়াৰ স্বাধীনতা বুলি বস্তু এটাই নাথাকিব। ইপিনে ইংৰাজে ভাবিছে জানোচা আফ্রিকাত ইটালিৰ প্রাধান্ত বাঢ়িলে বৃটিছ সাম্রাজ্যৰ ওপৰত কুঠাৰাঘাত পৰে। এইবিলাক কাৰণতেই ইটালিৰ বিৰুদ্ধে ৰাষ্ট্রসঙ্ঘই ক্ষিপ্রভাৱে অর্থনৈতিক হেঁচা প্রয়োগ কৰিবলৈ সক্ষম হোৱা নাই। ফ্রান্স আৰু ইংলণ্ডই ইটালি এবিছিনিয়াৰ মাজত শান্তি স্থাপন কৰাৰ বা ইটালিক বিৰত কৰাৰ মূলতে হৈছে, দুয়োটা জাতিৰ কিছুমান অপৰিহার্য্য স্বার্থ। যদি ইউৰোপৰ শক্তিবিলাকে এইদৰে নিজ নিজ স্বার্থৰ পৰৱশ হৈ কাম কৰে তেন্তে পৃথিবীত শান্তি স্থাপন কৰা দুৰৰ কথা ইউৰোপক কিছুদিনৰ পিছত ধ্বংসৰ মুখতহে পেলাই দিব।

* * * *

কিন্তু বর্ত্তমান জেনেভাত যি অর্থনৈতিক হেচাৰ কল্পনা জল্পনা চলিছে ই ইটালিক বিৰত কৰিবলৈ সমর্থ হবনে? যদি গোটেই পৃথিবীৰ জাতিবিলাক ৰাষ্ট্রসঙ্ঘৰ সভ্য হলহেতেন আৰু প্রত্যেক সভ্যই যদি যুগিষ্টৰ বা মহাত্মা গান্ধীৰ দৰে ধর্ম্মভীৰু আৰু শান্তিকামী হ'লহেতেন তেনেহলে অর্থনৈতিক হেচাৰ এটা অর্থ থাকিব পাৰিলেহেতেন, আৰু ইটালিয়ে বাধ্য হৈ নিজৰ দাম্ভিক অভিমান বন্ধ কৰিলেহেতেন। কিন্তু বর্ত্তমান ৰাষ্ট্রসঙ্ঘৰ বৰ কাহিল অৱস্থা। অসংখ্য দ্বিতীয় আৰু তৃতীয় শ্রেণীৰ ৰাষ্ট্রৰ উপৰিও পৃথিবীৰ প্রধান তিনিখন ৰাষ্ট্র—আমেৰিকা, জাপান আৰু জার্ম্মেনি এই ৰাষ্ট্রসঙ্ঘৰ সভ্য নহয়। এওঁলোকে ইটালিৰ বিৰুদ্ধে অর্থনৈতিক হেচা প্রয়োগ নকৰে আৰু কৰিবৰ সম্ভাৱনাও নাই। কিয়নো এওঁলোক ৰাষ্ট্রসঙ্ঘৰ নির্দ্দেশ মানি চলিবলৈ বাধ্য নহয়। কিন্তু ইয়াতকৈও দুখৰ কথা এয়ে যে জাতিসঙ্ঘৰ চাৰিজন সভ্য অষ্ট্রিয়া, হাঙ্গেৰি, পর্টুগেল আৰু এলেবেনিয়াইয়ো ইটালিৰ বিৰুদ্ধে অর্থ নৈতিক হেঁচা প্রয়োগ কৰিবলৈ বাজী নহল। কিয়নো ইটালিৰ ঋষি-শাপ মুবত পৰে বুলি এওঁলোকৰ ভয়। যদি এইবিলাক ৰাজ্যৰ লগত অবাধ গতিত ইটালিৰ বাণিজ্য চলিয়েই থাকিল তেনেহলে অর্থ নৈতিক হেচাৰ অর্থ থাকিল ক'ত? অৱশ্যে যুদ্ধ বেছি দিন চলি থাকিব লগীয়া হলে অর্থনৈতিক হেচাই ইটালিক কিছু সেও কৰিব। কিন্তু ইটালি

হোৱাৰ আগতে এবিছিনিয়াৰ ভালেখিনি ৰাজ্য গ্ৰাস কৰিহে এৰিব। তেনেহলে বিনাযুদ্ধে ইটালিক বিৰত কৰাৰ উপায় নাইনে? অইন কি ইটালিৰ বিৰুদ্ধে অইন জাতিয়ে যুদ্ধ কৰিলেও তাৰ উত্তৰ যুদ্ধেৰেই দিব বুলি মুছলিনিয়ে গৰ্ব্ব কৰিছে। ("To acts of war we shall reply with acts of war")

এবিছিনিয়া নেতাৰ বিশ্বাসঘাটকতা

পৰাধীন বা নামত স্বাধীন হৈয়ো পৰাধীনৰ দৰে জীৱন যাপন কৰা জাতিবিলাকৰ প্ৰজাবৰ্গৰ বা নেতা সকলৰ ভিতৰত গৃহকন্দল আত্ম খৰিয়াল আৰু মনোমালিন্যৰ কাৰণেই যে তেওঁলোকৰ পৰাধীনতা আৰু অধোগতিৰ মূল কাৰণ এই কথা আজি জগত-বুৰঞ্জীত এবিছিনিয়াৰ কেইজনমান নেতাৰ বিশ্বাসঘাটকতাই পুনৰ ফটফটীয়াকৈ প্ৰমাণ কৰিছে। এবিছিনিয়াৰ সম্ৰাটৰ নিজৰ জোৱায়েক হেইলি ছেলাছী গগ্ৰা আৰু আন এজন নেতা ৰেছ গুগছাই নিজ নিজ সৈন্য বাহিনীৰে সৈতে সম্ৰাটক পৰিত্যাগ কৰি ইটালিয়ানসকলৰ প্ৰভুত্ব স্বীকাৰ কৰিছে আৰু তেওঁলোকৰ শৰণাগত হৈছে! অকল ইয়াকে কৰিয়েই তেওঁলোক ক্ষান্ত হোৱা নাই। এই দেশদ্ৰোহী দুজনে ইটালিৰ সপক্ষে এবিছিনিয়াৰ বিৰুদ্ধে অস্ত্ৰও ধাৰণ কৰিছে। এনেকুৱা বিশ্বাসঘাটক আৰু দেশ দ্ৰোহীসকলৰ কাৰণেই এসময়ৰ স্বাধীন ভাৰতে বিদেশীৰ হাতত নিজৰ স্বাধীনতা বিক্ৰী কৰিবলৈ বাধ্য হল। আমাৰ অসমৰ কথাই বা বাদ দিওঁ কিয়? যি স্বাধীন অসমে এসময়ত বিদেশীৰ কঠোৰ আক্ৰমণো বাৰে বাৰে ওফৰাই পেলাবলৈ সক্ষম হৈছিল সেই অসমত যেতিয়াই দেশদ্ৰোহিতা আৰু বিশ্বাসঘাটকতাৰ বিহ সোমাল তেতিয়াই অসমৰ গৌৰৱদীপ্ত স্বাধীনতা বেলি মাৰ গল। এক বদন বৰফুকনে মানক মাতি আনি আমাৰ স্বাধীনতা বিক্ৰী কৰিলে। আমাৰ শত্ৰু আৰৰ মানবিলাকেও এই দেশদ্ৰোহিতাৰ আলম লৈ আমাৰ নিৰীহ প্ৰজাবিলাকক বধ কৰি সোণৰ অসম চাৰখাৰ কৰিলে। বদন বৰফুকনে তুলিম। সবিশ্বাসঘাটকতা কৰি মানক মাতি ননাহেতেন ময়ো আজি তাকে আমি ভাৰতত সংখ্যালঘিষ্ঠ জাতি বুলি পৰিগণিত নহলোহেতেন। আমাৰ এই কালিমাসনা অতীত বুৰঞ্জীৰ পৰা আজিও বহুত কথা শিকিবলগীয়া আছে। তাতে জাতীয় বিপদৰ সময়ত এবিছিনিয়াৰ নেতাসকলৰ দেশদ্ৰোহিতাই ভাৰতবাসীৰ, বিশেষকৈ অসমীয়া মানুহৰ চকু বেছিকৈ মেল খুৱাব বুলি আশা কৰা যায়।

অসম বিশ্ববিদ্যালয়ৰ আঁচনি

অলপতে অসম এছোছিয়েশ্যনৰ তৰফৰপৰা ভবিষ্যত অসম য়ুনিভাৰ্ছিটি কেনেকুৱা ধৰণৰ হব লাগে এই সম্পৰ্কে এখন আঁচনি বা স্কীম প্ৰস্তুত কৰা হৈছে। উক্ত এছোছিয়েশ্যনৰ এই সাধু চেষ্টা যে বৰ প্ৰশংসনীয় হৈছে তাত সন্দেহ নাই।

স্কীমখনৰ আৰম্ভণিতে পৰিষ্কাৰ কৰি বুজাই দিয়া হৈছে যে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ উদ্দেশ্য কেৱল কেৰাণী গিৰি কৰিবলৈ ইংৰাজী মাত শিকা কিছুমান ছাত্ৰ তৈয়াৰ কৰাই নহয়; ইয়াৰ আছল উদ্দেশ্য হব লাগে গুণী জ্ঞানী ছাত্ৰ তৈয়াৰ কৰাৰ উপৰিও দেশৰ দায়িত্ব গ্ৰহণ কৰিব পৰা চৰিত্ৰবান কিছুমান নেতা। সেইকাৰণে বিশ্ববিদ্যালয়বিলাক ছাত্ৰসকলৰ সৎ চৰিত্ৰ আৰু অভ্যাস গঠন কৰাৰ অনুষ্ঠান হব লাগে। য়ুনিভাৰ্ছিটি কমিটীৰ ছেক্ৰেটৰিয়ে কৈছে যে এইবিলাক উদ্দেশ্য সাধন কৰিবলৈ হলে অসমক এটা য়ুনিটেৰি বা এক ক্ষমতাসম্পন্ন, ৰেছিডেন্সিয়েল বা স্থানীয় আৰু শিক্ষা দিয়া (teaching) বিশ্ববিদ্যালয়ৰ আৱশ্যক। এই প্ৰকাৰৰ বিশ্ববিদ্যালয়ৰ সপক্ষে ছেডলাৰ কমিটীয়েও মত প্ৰকাশ কৰি গৈছে। ঢাকা, কাশী, আলিগড় আৰু ওছমানিয়া বিশ্ববিদ্যালয়ো এই একে আদৰ্শৰ ওপৰতেই প্ৰতিষ্ঠিত। স্থানীয় আৰু এক ক্ষমতাসম্পন্ন হোৱাৰ উপৰিও অসম বিশ্ববিদ্যালয় এফিলিয়েটিং (অন্যান্য কলেজক ইয়াৰ তলত ভুক্ত কৰা) হব লাগে বুলি অসম য়ুনিভাৰ্ছিটি কমিটীয়ে অনুমোদন কৰিছে। অৱশ্যে বৰ্ত্তমান অসমত যিবিলাক কলেজ আছে আৰু ভবিষ্যতলৈ যিবিলাক প্ৰতিষ্ঠিত হব সেইবিলাক ভাবী অসম য়ুনিভাৰ্ছিটিৰ অন্তৰ্ভুক্ত হোৱা উচিত হব বুলি আমি ভাবো।

কটন কলেজক কেন্দ্ৰ কৰিয়েই গুৱাহাটীত অসম

বিশ্ববিদ্যালয় গঢ়ি উঠিব লাগে বুলি কমিটীয়ে মত প্ৰকাশ কৰিছে। এই বিষয়ে কাৰো দ্বিতীয় মত থাকিব পাৰে বুলি আমি নাভাবোঁ।

* * * *

ভবিষ্যত অসম য়ুনিভাৰ্ছিটিৰ বাৎসৰিক খৰচ-পত্ৰ নিৰ্দ্ধাৰণ কৰা সম্পৰ্কে আমাৰ বোধেৰে অসম য়ুনিভাৰ্ছিটি কমিটী সতৰ্কতাৰে অগ্ৰসৰ হোৱা উচিত আছিল। কিয়নো কেইটামান বিষয়ত খৰচ বৰ বেছিকৈ দেখুৱা হৈছে আৰু কেইটামান লাগতিয়াল বিষয়তো খৰচ কমকৈ ধৰা হৈছে। এই সকলোবোৰৰ বিশদ আলোচনা নকৰি কেইটামান প্ৰধান কথালৈ আঙুলিয়াই দিলেই যথেষ্ট হব বুলি ভাবো। যেনে, বৰ্ত্তমান ডিব্ৰুগৰৰ মেডিকেল স্কুলটো এজন মাত্ৰ প্ৰফেছৰ, এজন লেকচাৰৰ আৰু এজন ডেমনষ্ট্ৰেটৰ দি কলেজৰ শাৰীলৈ উঠাবলৈ মাথোন বাৎসৰিক কুৰি হেজাৰ টকা হলেই হব বুলি দেখুৱা হৈছে। য়ুনিভাৰ্ছিটি লাইব্ৰেৰিৰ কাৰণে বছেৰেকত ৫০০০টকা নিচেই কম। আন পিনে ভাইছ চেন্সেলাৰৰ দৰ্ম্মহা মাহেকত দুহেজাৰ টকা বেছিকৈ ধৰা হৈছে।

য়ুনিভাৰ্ছিটি কমিটীয়ে বিশ্ববিদ্যালয়ৰ কাৰণে আৱশ্যকীয় ঘৰ-দুৱাৰ কৰিবলৈ প্ৰাথমিক খৰচ (Initial expenditure) মুঠৰ ওপৰত যিমান হলে হব এই বিষয়ে একো সঙ্কেত নিদিলে। তেওঁলোকে এই বিষটো ছাবভেন্‌ছন কমিটীৰ ওপৰত অৰ্পণ কৰি ক্ষান্ত থকাটো বৰ যুক্তিসঙ্গত নহল বুলি ভাবো। নতুন উৰিষ্যা য়ুনিভাৰ্ছিটি কমিটীয়ে প্ৰাথমিক খৰচৰ কাৰণে ৩, ৩০, ০০০ টকাৰ আৱশ্যক হব বুলি নিৰ্দ্দেশ কৰিছে। কিন্তু অসম গৱৰ্ণমেণ্টে বৰ্ত্তমানৰ ছিলেঠ কলেজৰ ব্যিল্ডিংটো নিৰ্ম্মাণ কৰিবলৈকে আঠ লাখ টকা ব্যয় বহন কৰিছিল। অসম বিশ্ববিদ্যালয়ৰ কাৰণে আৱশ্যকীয় ব্যিল্ডিং আদি সাজিবলৈকো তদনুৰূপ সাহায্যৰ আৱশ্যক হব।

* * * *

মাধ্যমিক শিক্ষাৰ ভাৰ বিশ্ববিদ্যালয়ৰ লগত সংযোগ থকা সৰহ সংখ্যক বে-চৰকাৰী সভ্যেৰে গঠিত এখন বৰ্ডৰ ওপৰত দিয়াৰ যুক্তিযুক্ততা অসম য়ুনিভাৰ্ছিটি কমিটীয়ে পোষণ কৰিছে। বম্বে আৰু পঞ্জাব য়ুনিভাৰ্ছিটিত স্কুল লীভিং ছাৰ্টিফিকেট দিয়া বৰ্ড আছে আৰু বিহাৰ প্ৰদেশতো মাধ্যমিক শিক্ষাৰ কাৰণে সুকীয়া সুকীয়া বৰ্ড আছে।

অসম য়ুনিভাৰ্ছিটিৰ তলতো এনে এখন বৰ্ড গঠিত হৈ আমাৰ স্কুলবিলাকৰ মাধ্যমিক শিক্ষাৰ ভাৰ গ্ৰহণ কৰিব। এই বৰ্ডেই এই স্কুলবিলাকৰ পাঠ্য পুথি নিৰ্ব্বাচন আৰু পৰীক্ষা আদি পৰিচালনা কৰিব। কিন্তু এই পৰীক্ষাত পাছ কৰা ছাত্ৰসকলক পোনে পোনেই বিশ্ব-বিদ্যালয়ত প্ৰৱেশ কৰিবলৈ নিদি পুনৰ এটা প্ৰাথমিক পৰীক্ষা (Preliminary Examination)লৈ বিশ্ববিদ্যালয় প্ৰৱেশকাৰীৰ সংখ্যা কমোৱাৰ যি ব্যৱস্থা কৰা হৈছে তাৰ যুক্তিযুক্ততাৰ বিষয়ে আমি একো বুজিব পৰা নাই। একেটা বৰ্ডেই পাছ কৰি দিয়া ছাত্ৰক য়ুনিভাৰ্ছিটিত ভৰ্ত্তি হবলৈ সেই একেটা বৰ্ডেই আৰু এটা পৰীক্ষা লোৱাটো বিশেষ যুক্তিসঙ্গত নহব। যদি য়ুনিভাৰ্ছিটিত প্ৰৱেশ কৰা ছাত্ৰৰ সংখ্যা কমোৱাৰেই উদ্দেশ্য হয় তেনে হলে মাধ্যমিক স্কুলবিলাকৰ শেষ পৰীক্ষাবিলাক বৰ্ত্তমানতকৈ কঠোৰতৰ কৰিলেই সেই উদ্দেশ্য সিদ্ধি হব।

বিশ্ববিদ্যালয়ৰ নানা বিষয়বিলাক হাতত লবলৈ যিবিলাক বৰ্ডৰ কথা উল্লেখ কৰা হৈছে তাৰ ভিতৰত স্ত্ৰী শিক্ষাৰ ভাৰ গ্ৰহণ কৰিবলৈ এখন সুকীয়া বৰ্ড আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ কাৰণে অসম বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলক আৱশ্যকীয় শিক্ষা দিবলৈ যি 'বৰ্ড অব কচেজ'ৰ কথা উল্লেখ কৰিছে ই বৰ ভাল কথা হৈছে। আমাৰ নাৰীসকলৰ শিক্ষা মুনিহতকৈ পৃথক হব লাগে আৰু এই শিক্ষা পৰিচালনা কৰিবলৈ যে এখন সুকীয়া বৰ্ডৰ আৱশ্যক এই কথা বিশ্ববিদ্যালয় কমিটীয়ে ভালৰূপে উপলব্ধি ক'ৰছে। ইয়াৰ উপৰিও এখন বৰ্ড অব কচেজৰ আৱশ্যকতাৰ কথা সকলোৱে সমৰ্থন কৰিব।

পৰিশেষত অসম য়ুনিভাৰ্ছিটি কমিটীৰ ছেক্ৰেটৰি শ্ৰীযুত গোপীনাথ বৰদলৈ এম-এ, বি-এল আৰু অসম এছোছিয়েশ্যনৰ সম্পাদক শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা বি-এল ডাঙৰীয়াক তেখেতসকলৰ অসম বিশ্ববিদ্যালয়ৰ কাৰণে কৰা চেষ্টা আৰু উদ্যোগৰ শলাগ লওঁ।

সমালোচনা

অসম সাহিত্য সভা পত্রিকা সাহিত্য সভা পত্রিকাখন ইমান দিন বন্ধ থকাৰ পিছত আকৌ ওলোৱা দেখি আমি বৰ বং পাইছোঁ। পত্রিকা পুনঃ প্রকাশৰ বাবে আমাৰ সাহিত্য সভা আৰু মুটীয়া সম্পাদক শ্রীযুত পূর্ণানন্দ শর্মা আৰু শ্রীযুত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া দুজনলৈ আমাৰ শলাগ আগ বঢ়ালোঁ। এই পত্রিকাৰ পুনর্জীৱনৰ অর্থে আর্থিক সাহায্য আগবঢ়োৱা বাবে অসম গৱর্ণৰ মাইকেল কীন বাহাদুৰো শলাগৰ পাত্র।

বর্ত্তমান ৬ষ্ঠ বছৰৰ ১ম (শাওন—আহিন) সংখ্যাত সম্পাদকৰ শৰাইত ঠিক কথাকে লিখা হৈছে—"পত্রিকাই তথা সাহিত্য সভাই নিজ সফলতা লাভ কৰি আমাৰ জাতীয় উন্নতিৰ বাট যাতে নির্দ্দেশ কৰে, সেয়ে প্রতি দেশ-হিতৈষী লোকৰ চিন্তা হব বুলি আশা কৰিছোঁ।"

শিল্প আৰু সাহিত্যই জাতীয় সভ্যতাৰ আত্মা স্বৰূপ। বুৰঞ্জীৰ কাহিনী বা জাতীয় জীৱনৰ সৌত সদায় সংনি হবই লাগিছে; সভ্যতাৰ মৰিশালিত বন গজিছে, তাৰ ইতিহাস কৰলৈ যদি কিবা থাকে সি শিল্প আৰু সাহিত্যহে। এহেজাৰ বছৰৰ আগৰ অসমীয়া জাতিৰ অন্তৰ আৰু বাহিৰৰ বুৰঞ্জী আজি আমাক কৈছে সেই সাহিত্যই; আৰু এহেজাৰ বছৰ পিছলৈ আজি অসমীয়াৰ তেনে ইতিহাস কৰলৈ যদি কিবা থাকে, তেন্তে থাকিব সেই সাহিত্যইহে, সাহিত্যই আমাৰ বর্ত্তমানৰো সঞ্জীৱনী।

এনে সাহিত্যৰ উচ্চাঙ্গৰ চানেকি দাঙি ধৰিবলৈ 'সাহিত্য সভা পত্রিকা' শুচল আৰু আহল বহল অনুষ্ঠান। আমি আশা কৰোঁ পত্রিকাৰ ভিতৰেদি আমাৰ সাহিত্যই উচ্চ স্তৰলৈ আগুৱাবলৈ গোহৰ পাব। সাহিত্য সম্মিলনৰ সভাপতি সকলৰ অভিভাষণৰ বাহিৰেও আমাৰ সাহিত্যৰ ওখ ভাবৰ নানা বিষয়ৰ সমাবেশ এই পত্রিকাত দেখিবলৈ আমি আশা কৰোঁ।

এই সংখ্যাৰ বেটু পাতৰ ওপৰত 'আসাম সাহিত্য সভা পত্রিকা' আৰু ভিতৰৰ আৱৰণিতে তেনে বেমেজালি দেখি দুখ পাইছোঁ। কাৰণ যোৰা মঙ্গলদৈ সম্মিলনতে 'অসম' লিখিবলৈ প্রস্তাব গ্রহণ কৰা হৈছে।

৫২৮৪/অ:

আমাৰ নিবেদন

যিসকল গ্রাহকৰ বৰঙনি এই ১২ শ (আহিন) সংখ্যাতে ওৰ পৰিল সেই সকললৈ এই সংখ্যাৰ বেটু পাতৰ ওপৰতে 'গ্রাহকসকললৈ নিবেদন' পঠোৱা হ'ল। তেখেতসকলে ৭ম বছৰৰ ভি, পি, যাবলগীয়া ১ম (কাতি) সংখ্যাৰ ভি, পি, খৰচ ।/০ অনা অনাহকতে নহবি ৵০ অনাতে বৰঙনি ৫৷০ টকা মনি অর্ডাৰ কৰি পঠাব পাৰে।

বৰঙনি মনি অর্ডাৰ কৰি পঠাবলৈ হলে অহা আঘোনৰ প্রথম সপ্তাহৰ ভিতৰতে গোৱাকৈ পঠায় যেন। কাৰণ, ১ম সংখ্যা সোনকালে ওলাব বুলি আশা কৰা গৈছে।

প্রথম সংখ্যাৰ বাবে ঠিকনা পৰিবর্ত্তন কৰিবলৈ হলেও যেন সলনি ঠিকনা আঘোনৰ প্রথম সপ্তাহৰ ভিতৰতে গোৱাকৈ জনায়। সময়তে নজনোৱা বাবে আগৰ ঠিকনালৈ কাকত গলে পিছত আকৌ বিনা বেচত কাকত পঠোৱা সম্ভৱ নহয়। কেতিয়াবা কেতিয়াবা আকৌ পঠাব গৰাকৈ আমাৰ হাতত কাকত নাথাকেও।

১৪, জগন্নাথ দত্ত লেন কলিকতা, লক্ষ্মীবিলাস প্রেছ লিমিত, ডাঃ দীননাথ শর্মাৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।